# Holy Bible

## *Aionian* Edition®

### অসমীয়া বাইবেল

### Assamese Bible

AionianBible.org

পৃথিৱীৰ সৰ্বপ্ৰথম পবিত্ৰ বাইবেলৰ শাব্দিক অনুবাদ
যাৰ প্ৰতিলিপি ও ছপা কৰা ১০০% বিনামূলীয়া
ইয়াক “বেঙুনীয়া বাইবেল” নামেৰেও জনা যায়

*Holy Bible Aionian Edition ®*

অসমীয়া বাইবেল

Assamese Bible

Creative Commons Attribution ShareAlike 4.0 International, 2018-2024
Source text: eBible.org
Source version: 8/25/2024
Source copyright: Creative Commons Attribution ShareAlike 4.0
Bridge Connectivity Solutions, 2017, 2018

Formatted by Speedata Publisher 4.19.20 (Pro) on 8/31/2024
100% Free to Copy and Print
TOR Anonymously
https://AionianBible.org

Published by Nainoia Inc
https://Nainoia-Inc.signedon.net

We pray for a modern Creative Commons translation in every language
Translator resources at https://AionianBible.org/Third-Party-Publisher-Resources
Report content and format concerns to Nainoia Inc
Volunteer help is welcome and appreciated!

*Celebrate Jesus Christ's victory of grace!*

# ভূমিকা

অসমীয়া at AionianBible.org/Preface

The *Holy Bible Aionian Edition* ® is the world's first Bible *un-translation*! What is an *un-translation*? Bibles are translated into each of our languages from the original Hebrew, Aramaic, and Koine Greek. Occasionally, the best word translation cannot be found and these words are transliterated letter by letter. Four well known transliterations are *Christ*, *baptism*, *angel*, and *apostle*. The meaning is then preserved more accurately through context and a dictionary. The Aionian Bible un-translates and instead transliterates eleven additional Aionian Glossary words to help us better understand God's love for individuals and all mankind, and the nature of afterlife destinies.

The first three words are *aiōn*, *aiōnios*, and *aïdios*, typically translated as *eternal* and also *world* or *eon*. The Aionian Bible is named after an alternative spelling of *aiōnios*. Consider that researchers question if *aiōn* and *aiōnios* actually mean *eternal*. Translating *aiōn* as *eternal* in Matthew 28:20 makes no sense, as all agree. The Greek word for *eternal* is *aïdios*, used in Romans 1:20 about God and in Jude 6 about demon imprisonment. Yet what about *aiōnios* in John 3:16? Certainly we do not question whether salvation is eternal! However, *aiōnios* means something much more wonderful than infinite time! Ancient Greeks used *aiōn* to mean *eon* or *age*. They also used the adjective *aiōnios* to mean *entirety*, such as *complete* or even *consummate*, but never infinite time. Read Dr. Heleen Keizer and Ramelli and Konstan for proofs. So *aiōnios* is the perfect description of God's Word which has *everything* we need for life and godliness! And the *aiōnios* life promised in John 3:16 is not simply a ticket to eternal life in the future, but the invitation through faith to the *consummate* life beginning now!

The next seven words are *Sheol*, *Hadēs*, *Geenna*, *Tartaroō*, *Abyssos*, and *Limnē Pyr*. These words are often translated as *Hell*, the place of eternal punishment. However, *Hell* is ill-defined when compared with the Hebrew and Greek. For example, *Sheol* is the abode of deceased believers and unbelievers and should never be translated as *Hell*. *Hadēs* is a temporary place of punishment, Revelation 20:13-14. *Geenna* is the Valley of Hinnom, Jerusalem's refuse dump, a temporal judgment for sin. *Tartaroō* is a prison for demons, mentioned once in 2 Peter 2:4. *Abyssos* is a temporary prison for the Beast and Satan. Translators are also inconsistent because *Hell* is used by the King James Version 54 times, the New International Version 14 times, and the World English Bible zero times. Finally, *Limnē Pyr* is the Lake of Fire, yet Matthew 25:41 explains that these fires are prepared for the Devil and his angels. So there is reason to review our conclusions about the destinies of redeemed mankind and fallen angels.

The eleventh word, *eleēsē*, reveals the grand conclusion of grace in Romans 11:32. Take the time to understand these eleven words. The original translation is unaltered and a note is added to 64 Old Testament and 200 New Testament verses. To help parallel study and Strong's Concordance use, apocryphal text is removed and most variant verse numbering is mapped to the English standard. We thank our sources at eBible.org, Crosswire.org, unbound.Biola.edu, Bible4u.net, and NHEB.net. The Aionian Bible is copyrighted with creativecommons.org/licenses/by/4.0, allowing 100% freedom to copy and print, if respecting source copyrights. Check the Reader's Guide and read online at AionianBible.org, with Android, and TOR network. Why purple? King Jesus' Word is royal… and purple is the color of royalty!

# History

অসমীয়া at AionianBible.org/History

04/15/85 - Aionian Bible conceived as B. and J. pray.
12/18/13 - Aionian Bible announced as J. and J. pray.
06/21/15 - Aionian Bible birthed as G. and J. pray.
01/11/16 - AionianBible.org domain registered.
06/21/16 - 30 translations available in 12 languages.
12/07/16 - Nainoia Inc established as non-profit corporation.
01/01/17 - Creative Commons Attribution No Derivatives 4.0 license added.
01/16/17 - Aionian Bible Google Play Store App published.
07/01/17 - 'The Purple Bible' nickname begins.
07/30/17 - 42 translations now available in 22 languages.
02/01/18 - Holy Bible Aionian Edition® trademark registered.
03/06/18 - Aionian Bibles available in print at Amazon.com.
10/20/18 - 70 translations now available in 33 languages.
11/17/18 - 104 translations now available in 57 languages.
03/24/19 - 135 translations now available in 67 languages.
10/28/19 - Aionian Bible nursed as J. and J. pray.
10/31/19 - 174 translations now available in 74 languages.
02/22/20 - Aionian Bibles available in print at Lulu.com.
05/25/20 - Illustrations by Gustave Doré, La Grande Bible de Tours, Felix Just.
08/29/20 - Aionian Bibles now available in ePub format.
12/01/20 - Right to left and Hindic languages now available in PDF format.
03/31/21 - 214 translations now available in 99 languages.
11/17/21 - Aionian Bible Branded Leather Bible Covers now available.
12/20/21 - Social media presence on Facebook, Twitter, LinkedIn, YouTube, etc.
01/01/22 - 216 translations now available in 99 languages.
01/09/22 - StudyPack resources for Bible translation study.
02/14/22 - Strong's Concordance from Open Scriptures and STEPBible.
02/14/23 - Aionian Bible published on the TOR Network.
12/04/23 - Eleēsē added to the Aionian Glossary.
02/04/24 - 352 translations now available in 142 languages.
05/01/24 - 370 translations now available in 164 languages.
08/05/24 - 377 translations now available in 166 languages.
08/18/24 - Creative Commons Attribution 4.0 International, if source allows.

# সূচীপত্ৰ


**পুৰণি নিয়ম**

আদিপুস্তক ..................................... 11
যাত্ৰাপুস্তক ..................................... 132
লেবীয় পুস্তক ..................................... 231
গণনা পুস্তক ..................................... 301
দ্বিতীয় বিবৰণ ..................................... 400
যোশুয়া ..................................... 495
বিচাৰকচৰিত ..................................... 555
ৰূথ ..................................... 616
১ সামুয়েল ..................................... 625
২ সামুয়েল ..................................... 702
১ ৰাজাবলি ..................................... 767
২ ৰাজাবলি ..................................... 843
১ বংশাবলি ..................................... 918
২ বংশাবলি ..................................... 982
এজৰা ..................................... 1065
নেহেমিয়া ..................................... 1087
এস্থাৰ ..................................... 1120
যোব ..................................... 1138
সামসঙ্গীত ..................................... 1196
প্ৰবচন ..................................... 1343
উপদেশক ..................................... 1392
পৰম গীত ..................................... 1410
ইসাইয়া ..................................... 1420
যেৰেমিয়া ..................................... 1533
বিলাপ-গাথা ..................................... 1665
এজেকিয়েল ..................................... 1676
দানিয়েল ..................................... 1795
হোসেয়া ..................................... 1831
যোয়েল ..................................... 1850
আমোস ..................................... 1857
ওবাদিয়া ..................................... 1871
যোনা ..................................... 1873
মিখা ..................................... 1878
নাহুম ..................................... 1889
হাবাকুক ..................................... 1894
জেফানিয়া ..................................... 1899
হগয় ..................................... 1905
জাখাৰিয়া ..................................... 1909
মালাখি ..................................... 1929


**নতুন নিয়ম**

মথি ..................................... 1939
মাৰ্ক ..................................... 2016
লূক ..................................... 2065
যোহন ..................................... 2148
পাঁচনি ..................................... 2214
ৰোমীয়া ..................................... 2294
১ কৰিন্থীয়া ..................................... 2326
২ কৰিন্থীয়া ..................................... 2359
গালাতীয়া ..................................... 2381
ইফিচীয়া ..................................... 2393
ফিলিপীয়া ..................................... 2404
কলচীয়া ..................................... 2412
১ থিচলনীকীয়া ..................................... 2420
২ থিচলনীকীয়া ..................................... 2428
১ তীমথিয় ..................................... 2432
২ তীমথিয় ..................................... 2441
তীত ..................................... 2447
ফিলীমন ..................................... 2451
ইব্ৰী ..................................... 2453
যাকোব ..................................... 2479
১ পিতৰ ..................................... 2488
২ পিতৰ ..................................... 2497
১ যোহন ..................................... 2503
২ যোহন ..................................... 2512
৩ যোহন ..................................... 2514
যিহূদা ..................................... 2516
প্ৰকাশিত বাক্য ..................................... 2519

**পৰিশিষ্ট**

পাঠকৰ সহায়িকা
শব্দমালা
মানচিত্ৰ
ভাগ্য
ছবি, Doré

# পুৰণি নিয়ম




এইদৰে ঈশ্বৰে মানুহক এদন বাৰীৰ পৰা খেদাই দিলে; তাৰ পাছত জীৱন-বৃক্ষৰ ওচৰলৈ যোৱাৰ পথ ৰখিবলৈ,
এদন বাৰীৰ পুবফালে কৰূবসকলক ৰাখিলে আৰু চাৰিওফালে ঘূৰি থকা এখন জলন্তময় তৰোৱালকো তাত থলে।
আদিপুস্তক ৩:২৪

# আদিপুস্তক

**১** আদিতে ঈশ্বৰে আকাশ-মণ্ডল আৰু পৃথিৱী সৃষ্টি কৰিলে। ২ পৃথিবীৰ
আকাৰ নাছিল আৰু সম্পূৰ্ণ শূণ্য আছিল; তাৰ ওপৰত আন্ধাৰে ঢকা
অগাধ জল আছিল আৰু ঈশ্বৰৰ আত্মাই সেই জলৰ ওপৰত উমাই
আছিল। ৩ ঈশ্বৰে ক'লে, "পোহৰ হওক," তেতিয়া পোহৰ হ'ল। ৪
ঈশ্বৰে পোহৰক অতি উত্তম দেখিলে; তেওঁ আন্ধাৰৰ পৰা পোহৰক
পৃথক কৰিলে। ৫ পাছত ঈশ্বৰে পোহৰৰ নাম "দিন" আৰু আন্ধাৰৰ নাম
"ৰাতি" হ'ল। এইদৰে গধূলি হ'ল আৰু পুৱা হোৱাত এক দিন হ'ল।
পাছত ঈশ্বৰে পোহৰৰ নাম দিন, আৰু আন্ধাৰৰ নাম ৰাতি থলে। গধূলি
আৰু পুৱা হোৱাত প্ৰথম দিন হ'ল। ৬ তাৰ পাছত ঈশ্বৰে ক'লে, "জলৰ
মাজত ভাগ হৈ এক বিস্তৃত খালী অংশ হওঁক আৰু ই জলক দুভাগ
কৰক।" ৭ এইদৰে ঈশ্বৰে জলৰ মাজত এক খালী অংশৰ সৃষ্টি কৰিলে
আৰু তলত থকা জল ভাগৰ পৰা ওপৰৰ জল ভাগক পৃথক কৰিলে;
তাতে তেনেদৰেই হ'ল। ৮ ঈশ্বৰে সেই বিস্তৃত খালী অংশৰ নাম
"আকাশ" ৰাখিলে। গধূলি আৰু পুৱা হ'লত, দ্বিতীয় দিন হ'ল। ৯ তাৰ
পাছত ঈশ্বৰে ক'লে, "আকাশৰ তলত থকা জল ভাগ এক ঠাইত আহি
গোট খাওঁক আৰু শুকান ভূমি ওলাওক;" তেতিয়া তেনেদৰেই হ'ল।
১০ ঈশ্বৰে শুকান ভূমিৰ নাম "স্থল" আৰু গোট খোৱা জল ভাগৰ নাম
"সমুদ্ৰ" হ'ল; তেতিয়া ঈশ্বৰে ইয়াক উত্তম দেখিলে। ১১ ঈশ্বৰে ক'লে,
"ভূমিয়ে ঘাঁহ-বন, শস্য উৎপাদনকাৰী উদ্ভিদ আৰু বীজ থকা গছ
উৎপন্ন কৰক; বিভিন্ন ধৰণৰ ভিতৰত গুটি থকা ফলৰ গছ স্থলভাগৰ
ওপৰত গজি উঠক।" তাতে তেনেদৰেই হ'ল; ১২ ভূমিত ঘাঁহ-বন,
শস্যদায়ী উদ্ভিদ আৰু বীজ থকা গছ উৎপন্ন হ'ল; বিভিন্ন ধৰণৰ ফলৰ
গছ হ'ল আৰু ফলৰ ভিতৰত গুটি হ'ল। তেতিয়া ঈশ্বৰে এইবোৰ উত্তম
দেখিলে। ১৩ গধূলি আৰু পুৱা হোৱাৰ পাছত তৃতীয় দিন হ'ল। ১৪ তাৰ
পাছত ঈশ্বৰে ক'লে, "পোহৰ হ'বলৈ আকাশত অনেক জ্যোতিবোৰ
হওঁক; সেই পোহৰে ৰাতিৰ পৰা দিনক পৃথক কৰিব। সেইবোৰ বেলেগ
বেলেগ ঋতু, দিন আৰু বছৰৰ চিন ৰূপে ব্যৱহাৰ হওঁক। ১৫ সেইবোৰে
পৃথিবীৰ ওপৰত পোহৰ দিবলৈ আকাশত প্ৰদীপস্বৰূপ হওঁক।" তেতিয়া

তেনেদৰেই হ'ল। ১৬ ঈশ্বৰে দিনৰ ওপৰত অধিকাৰ চলাবলৈ এক মহা-জ্যোতি, আৰু ৰাতিৰ ওপৰত অধিকাৰ চলাবলৈ তাতকৈ এক ক্ষুদ্ৰ-জ্যোতি, এই দুই বৃহৎ জ্যোতি আৰু তৰাবোৰকো নিৰ্ম্মাণ কৰিলে। ১৭ ঈশ্বৰে সেইবোৰক আকাশৰ মাজত স্থাপন কৰিলে যাতে সেইবোৰে পৃথিবীৰ ওপৰত পোহৰ দিয়ে; ১৮ দিন আৰু ৰাতিৰ ওপৰত অধিকাৰ চলায় আৰু আন্ধাৰৰ পৰা পোহৰক পৃথক কৰে। তেতিয়া ঈশ্বৰে ইয়াক উত্তম দেখিলে। ১৯ গধূলি আৰু পুৱা হোৱাৰ পাছত চতুৰ্থ দিন হ'ল। ২০ তাৰ পাছত ঈশ্বৰে ক'লে, "বিভিন্ন প্ৰাণীৰে জল ভাগ পূৰ্ণ হওঁক আৰু পৃথিবীৰ ওপৰ ভাগত আকাশৰ মাজত চৰাইবোৰ উড়ি ফুৰক।" ২১ এইদৰে ঈশ্বৰে ডাঙৰ ডাঙৰ সাগৰীয় প্ৰাণী, জলৰ মাজত বিচৰণ কৰা বিভিন্ন প্ৰকাৰৰ উৰগ প্ৰাণী আৰু নানাবিধ ডেউকা থকা চৰাই সৃষ্টি কৰিলে; তেতিয়া ঈশ্বৰে এইবোৰ উত্তম দেখিলে। ২২ ঈশ্বৰে সেইবোৰক আশীৰ্ব্বাদ কৰি ক'লে, "বংশ বৃদ্ধি কৰি তোমালোকে নিজৰ সংখ্যা বঢ়াই তোলা আৰু সমুদ্ৰবোৰৰ পানী পৰিপূৰ্ণ কৰা; পৃথিবীৰ ওপৰত চৰাইবোৰেও নিজৰ সংখ্যা বৃদ্ধি কৰক।" ২৩ গধূলি আৰু পুৱা হোৱাৰ পাছত পঞ্চম দিন হ'ল। ২৪ তাৰ পাছত ঈশ্বৰে ক'লে, "পৃথিৱীত বিভিন্ন ধৰণৰ প্ৰাণী উৎপন্ন হওঁক; ঘৰচীয়া পশু, বগাই ফুৰা প্ৰাণী আৰু নানা বিধ বনৰীয়া জন্তু উৎপন্ন হওঁক।" তাতে তেনেকুৱাই হ'ল। ২৫ ঈশ্বৰে বিভিন্ন বনৰীয়া জন্তু, বিভিন্ন ঘৰচীয়া পশু আৰু মাটিত বগাই ফুৰা বিভিন্ন প্ৰাণী নিৰ্ম্মাণ কৰিলে। তেতিয়া ঈশ্বৰে এইবোৰ উত্তম দেখিলে। ২৬ তাৰ পাছত ঈশ্বৰে ক'লে, "আমি নিজৰ প্ৰতিমুৰ্ত্তিৰ দৰে আমাৰ সাদৃশ্যেৰে মানুহ নিৰ্ম্মাণ কৰোঁহক; তেওঁলোকে সমুদ্ৰৰ মাছ, আকাশৰ চৰাই, ঘৰচীয়া পশু, সমুদায় পৃথিৱী আৰু পৃথিবীত বগাই ফুৰা প্ৰাণীৰ ওপৰত অধিকাৰ চলাওঁক।" ২৭ তেতিয়া ঈশ্বৰে নিজৰ প্ৰতিমূৰ্ত্তিৰে মানুহ সৃষ্টি কৰিলে; ঈশ্বৰে নিজৰ প্ৰতিমূৰ্ত্তিৰেই মানুহ সৃষ্টি কৰিলে; তেওঁ তেওঁলোকক পুৰুষ আৰু স্ত্ৰী কৰি সৃষ্টি কৰিলে। ২৮ পাছত ঈশ্বৰে তেওঁলোকক আশীৰ্ব্বাদ কৰি ক'লে, "তোমালোক বহুবংশ হোৱা; বাঢ়ি বাঢ়ি পৃথিবীখন পৰিপূৰ্ণ কৰা আৰু তাক বশীভুত কৰা; সমুদ্ৰৰ মাছ; আকাশৰ চৰাই, আৰু পৃথিবীৰ ওপৰত বিচৰণ

কৰা সকলো প্ৰাণীৰ ওপৰত অধিকাৰ চলোৱা।” ২৯ ঈশ্বৰে ক’লে,
“চোৱা, গোটেই পৃথিবীৰ ওপৰিভাগত গুটি উৎপন্ন কৰা গছ আৰু
ভিতৰত গুটি থকা সকলো ফলধৰা গছ মই তোমালোকক দিলোঁ;
সেয়ে তোমালোকৰ আহাৰ হ’ব। ৩০ সকলো বনৰীয়া জন্তু, আকাশৰ
সকলো চৰাই আৰু মাটিত বগাই ফুৰা সকলো প্ৰাণীৰ আহাৰৰ কাৰণে
সকলো কেচাঁ বন দিলোঁ।” তাতে তেনেকুৱাই হ’ল। ৩১ পাছত ঈশ্বৰে
নিজে নিৰ্ম্মাণ কৰা সকলোকে চালে। সেইবোৰ চাই অতি উত্তম পালে।
গধূলি আৰু পুৱা হোৱাৰ পাছত ষষ্ঠ দিন হ’ল।

**২** এনেদৰে আকাশ-মণ্ডল আৰু পৃথিৱী নিৰ্ম্মাণ কৰা হ’ল; আৰু
উভয়কে সকলোৰে পৰিপূৰ্ণ কৰা হ’ল। ২ ইতিমধ্যে ঈশ্বৰে তেওঁৰ
কাম শেষ কৰি সপ্তম দিনত সোমাল আৰু সেইদিনা সকলো কাৰ্যৰ
পৰা তেওঁ বিশ্ৰাম ল’লে। ৩ ঈশ্বৰে সেই সপ্তম দিনক আশীৰ্ব্বাদ কৰি
পবিত্ৰ কৰিলে; কিয়নো সেইদিনা ঈশ্বৰে নিজৰ সকলো সৃষ্টি কাৰ্যৰ
পৰা বিশ্ৰাম ল’লে। ৪ এয়াই হৈছে আকাশ-মণ্ডল আৰু পৃথিৱী সৃষ্টিৰ
ইতিহাস। ঈশ্বৰ যিহোৱাই যিদিনা পৃথিৱী আৰু আকাশ-মণ্ডল নিৰ্ম্মাণ
কৰিলে, সেই কালৰ ঘটনাৰ বিৱৰণ এই। ৫ তেতিয়াও পৃথিবীৰ
পথাৰত একো তৃণ আদি নাছিল; পথাৰত কোনো শস্যদায়ী গছ গজা
নাছিল; কিয়নো তেতিয়াও ঈশ্বৰ যিহোৱাই পৃথিবীত বৰষুণ বৰষোৱা
নাছিল আৰু মাটি চহাবৰ কাৰণে মানুহো নাছিল। ৬ কিন্তু পৃথিবীৰ পৰা
এক ঘন কুঁৱলী উঠি আহিল আৰু গোটেই ভূমি ভিজালে। ৭ ঈশ্বৰ
যিহোৱাই মাটিৰ পৰা ধুলি লৈ মানুহ নিৰ্ম্মাণ কৰিলে আৰু সেই মানুহৰ
নাকত ফু দি নিশ্বাস সুমুৱাই দিলে; তাতে মানুহ জীৱন্ত প্ৰাণী হ’ল। ৮
ঈশ্বৰ যিহোৱাই পূবফালে এদনত এখন বাৰী পাতিলে আৰু তাতে
তেওঁ নিজে নিৰ্ম্মাণ কৰা মানুহক ৰাখিলে। ৯ সেই ঠাইৰ মাটিত ঈশ্বৰ
যিহোৱাই দেখিবলৈ সুন্দৰ, খাবলৈকো ভাল এনে সকলো জাতৰ গছ
উৎপন্ন কৰিলে; বাৰীৰ মাজত তেওঁ জীৱন-বৃক্ষ আৰু ভাল বেয়া জ্ঞান
দিওঁতা বৃক্ষকো উৎপন্ন কৰিলে। ১০ সেই বাৰীত পানী দিবৰ কাৰণে
এদনৰ পৰা এখন নদী ওলাই আহিছিল আৰু সেই ঠাইৰ পৰাই নদীখন
চাৰিটা উপনৈত ভাগ হৈছিল। ১১ প্ৰথম নৈৰ নাম পীচোন; এই নদীখন

সমুদায় হবীলা দেশকে ঘেৰি বৈ গৈছে; এই দেশত সোণ পোৱা যায়।
১২ সেই দেশৰ সোণ উত্তম; তাত গুগগুলু আৰু বহুৰঙী মূল্যৱান পাথৰো
পোৱা যায়। ১৩ দ্বিতীয় নৈখনৰ নাম গীহোন। এই নদী কুচ দেশখনক
ঘেৰি বৈ গৈছে। ১৪ তৃতীয় নৈখনৰ নাম হিদ্দেকেল। সেই নদী অচুৰ
দেশৰ পূবদিশে বৈ গৈছে। চতুৰ্থ নদীখনৰ নাম হৈছে ফৰাৎ। ১৫ ঈশ্বৰ
যিহোৱাই মানুহক নি এদন বাৰীত ৰাখিলে যাতে তেওঁ তাত কাম কৰে
আৰু তাৰ যত্ন লয়। ১৬ ঈশ্বৰ যিহোৱাই মানুহক এই আজ্ঞা দিলে,
"তুমি বাৰীৰ সকলো গছৰ ফল স্বচ্ছন্দে খাব পাৰা; ১৭ কিন্তু ভাল বেয়া
জ্ঞান দিওঁতা গছৰ ফল হ'লে নাখাবা; কিয়নো যি দিনা তুমি তাক
খাবা, সেই দিনা অৱশ্যেই তোমাৰ মৃত্যু হ'ব।" ১৮ তাৰ পাছত ঈশ্বৰ
যিহোৱাই ক'লে, "মানুহ অকলে থকা ভাল নহয়; মই তেওঁৰ বাবে
এজন উপযুক্ত সহকাৰী নিৰ্ম্মাণ কৰিম।" ১৯ ঈশ্বৰ যিহোৱাই মাটিৰ
পৰা সকলো প্ৰকাৰৰ জীৱ-জন্তু আৰু আকাশৰ চৰাইবোৰ নিৰ্ম্মাণ
কৰিলে; তাৰ পাছত তেওঁ সকলো প্ৰাণীকে মানুহৰ ওচৰলৈ আনিলে;
তেওঁ চাব বিচাৰিলে যে মানুহে সেই সকলোবোৰক কি নাম দি মাতে।
তেওঁ সেই প্ৰাণীবোৰৰ যাক যি নামেৰে মাতিলে, তাৰ নাম সেয়ে হ'ল।
২০ মানুহে সকলো ঘৰচীয়া পশু, আকাশৰ চৰাই, বনৰীয়া জন্তুবোৰৰ
নাম দিলে; কিন্তু মানুহে নিজৰ কাৰণে সেইবোৰৰ মাজত উপযুক্ত
সহকাৰী নাপালে। ২১ সেয়ে ঈশ্বৰ যিহোৱাই মানুহলৈ গভীৰ টোপনি
আনিলে; তাতে তেওঁ গভীৰ টোপনি গ'ল। তেতিয়া ঈশ্বৰ যিহোৱাই
তেওঁৰ এডাল কামী-হাড় উলিয়াই সেই ঠাই মঙহেৰে পুৰালে। ২২
ঈশ্বৰ যিহোৱাই মানুহৰ পৰা উলিওৱা কামী-হাড়ডালেৰে এগৰাকী
স্ত্ৰী নিৰ্ম্মাণ কৰি তেওঁক মানুহৰ ওচৰলৈ লৈ আনিলে। ২৩ তেতিয়া
মানুহে ক'লে, "এতিয়া হৈছে; এওঁ মোৰ হাড়ৰো হাড়, মোৰ মঙহৰো
মঙহ; এওঁক 'নাৰী' বুলি মতা হ'ব; কিয়নো এওঁক নৰৰ পৰা লোৱা
হৈছে।" ২৪ সেইবাবে মানুহে নিজৰ পিতৃ মাতৃক ত্যাগ কৰি তেওঁৰ
স্ত্ৰীৰ প্ৰতি আসক্ত হ'ব আৰু তেওঁলোক দুয়োজন এক দেহ হ'ব। ২৫
সেই সময়ত সেই মানুহ আৰু তেওঁৰ স্ত্ৰী দুয়োজন বিবস্ত্ৰ আছিল; কিন্তু
তাক তেওঁলোকে লাজ বুলি নাজানিছিল।

৩ ঈশ্বৰ যিহোৱাই নিৰ্ম্মাণ কৰা সকলো বন্য প্ৰাণীৰ মাজত সৰ্প আছিল
আটাইতকৈ টেঙৰ। সেই সৰ্পই এদিন নাৰী গৰাকীক ক'লে, "ঈশ্বৰে
কি সঁচাই 'তোমালোকে বাৰীত থকা কোনো গছৰ ফল নাখাবা'এইবুলি
তোমালোকক ক'লে নে?" ২ নাৰীয়ে সৰ্পক ক'লে, "বাৰীৰ গছবোৰৰ
ফল আমি খাব পাৰোঁ; ৩ কিন্তু বাৰীৰ মাজত থকা গছ জোপাৰ ফলৰ
বিষয়ে হ'লে আমাক ঈশ্বৰে ক'লে, 'তোমালোকে তাক নাখাবাও,
নুচুবাও; তাকে কৰিলে তোমালোকৰ মৃত্যু হ'ব'।" ৪ তেতিয়া সৰ্পই
নাৰীক ক'লে, "দৰাচলতে তোমালোকৰ মৃত্যু নহয়। ৫ কিয়নো ঈশ্বৰে
জানে যে, যিদিনাই তোমালোকে সেই গছৰ ফল খাবা, সেইদিনাই
তোমালোকৰ চকু মুকলি হ'ব। তাতে তোমালোকে ভাল বেয়া জানোতা
হৈ ঈশ্বৰৰ নিচিনা হ'বা।" ৬ নাৰীগৰাকীয়ে যেতিয়া বুজিলে যে সেই
গছৰ ফল খাবলৈ ভাল হব; ই দেখাত লোভনীয় আৰু জ্ঞান লাভ কৰা
কথাটোও মনোমোহা; তেতিয়া নাৰীগৰাকীয়ে তাৰ পৰা কেইটামান
ফল চিঙি খালে আৰু লগত থকা তেওঁৰ গিৰিয়েককো দিলে; তাতে
তেৰোঁ খালে। ৭ তেতিয়া তেওঁলোক দুয়োজনৰ চকু মুকলি হ'ল।
তেওঁলোক যে বিবস্ত্ৰ অৱস্থাত আছে, এই বিষয়ে বুজি পালে। সেয়ে
তেওঁলোকে ডিমৰু গছৰ পাতবোৰ একেলগে জোৰা লগাই নিজৰ
কাৰণে কপিং চিলাই ল'লে। ৮ পাছত যেতিয়া সন্ধ্যাবেলাৰ শীতল
বতাহ ববলৈ ধৰিলে, তেতিয়া সেই মানুহ আৰু তেওঁৰ স্ত্ৰীয়ে বাৰীৰ
মাজত ঈশ্বৰ যিহোৱাৰ খোজৰ শব্দ শুনিবলৈ পালে আৰু তেওঁৰ সৈতে
সাক্ষাৎ নহ'বলৈ গছবোৰৰ মাজত লুকালগৈ। ৯ ঈশ্বৰ যিহোৱাই
মানুহক মাতি সুধিলে, "তুমি ক'ত আছা?" ১০ মানুহে ক'লে, "মই
বাৰীত আপোনাৰ শব্দ শুনি মোৰ বিবস্ত্ৰতাৰ কাৰণে ভয় কৰি লুকাই
আছোঁ।" ১১ ঈশ্বৰে ক'লে, "তুমি যে বিবস্ত্ৰ, তাক তোমাক কোনে
ক'লে? যি গছৰ ফল নাখাবা বুলি মই তোমাক নিষেধ কৰিছিলোঁ,
তাক তুমি খালা নেকি?" ১২ তেতিয়া মানুহে ক'লে, "যি স্ত্ৰী গৰাকীক
আপুনি মোৰ সঙ্গীনী কৰি দিলে, তেঁৱেই মোক সেই গছৰ ফল দিলে
আৰু সেই ফল মই খালোঁ।" ১৩ তেতিয়া ঈশ্বৰ যিহোৱাই সেই নাৰীক
ক'লে, "তুমি এইটো কি কৰিলা?" নাৰীয়ে ক'লে, "সৰ্পই মোক ছলনা

কৰি ভুলালে আৰু সেয়ে মই তাক খালো।" ১৪ ঈশ্বৰ যিহোৱাই সৰ্পক
ক'লে, "তোৰ এই কাৰ্যৰ কাৰণে ভূমিৰ সকলো ঘৰচীয়া আৰু বনৰীয়া
প্ৰাণীবোৰৰ মাজত কেৱল তোকে অভিশপ্ত কৰা হ'ল। তই পেটেৰে
গতি কৰিবি আৰু তোৰ জীৱনৰ গোটেই কালত ধুলি খাবি। ১৫ মই
তোৰ আৰু নাৰীৰ মাজত, তোৰ বংশ আৰু নাৰীৰ বংশৰে মাজত
শত্ৰুতা সৃষ্টি কৰিম; তেওঁ তোৰ মূৰ গুড়ি কৰিব আৰু তই তেওঁৰ ভৰিৰ
গোৰোহা গুড়ি কৰিবি।" ১৬ তাৰ পাছত ঈশ্বৰে নাৰীক ক'লে, "মই
তোমাৰ গৰ্ভ-বেদনা অতিশয় ৰূপে বৃদ্ধি কৰিম; তুমি কষ্টেৰে সন্তান
প্ৰসৱ কৰিবা; স্বামীৰ কাৰণে তোমাৰ কামনা হ'ব, কিন্তু তেওঁ তোমাৰ
ওপৰত অধিকাৰ চলাব।" ১৭ তেওঁ আদমক ক'লে, "যি গছৰ ফল
খাবলৈ মই তোমাক নিষেধ কৰিছিলোঁ, তুমি তোমাৰ স্ত্ৰীৰ কথা শুনি
তাক খালা। সেয়ে তোমাৰ কাৰণে ভূমি অভিশপ্ত হৈছে। তুমি গোটেই
জীৱন কালত কষ্টৰে পৰিশ্ৰম কৰি তাৰ পৰা খাবলৈ পাবা। ১৮ ভূমিয়ে
তোমালৈ কাঁইট আৰু কাঁইটীয়া বন উৎপন্ন কৰিব আৰু তুমি পথাৰৰ
শস্য ভোজন কৰিবা। ১৯ মাটিলৈ উলটি নোযোৱা পৰ্যন্ত মূৰৰ ঘাম
পেলাই তুমি আহাৰ কৰিব লাগিব; কিয়নো তোমাক মাটিৰ পৰা লোৱা
হৈছিল; তুমি ধুলি মাথোন আৰু পুনৰায় ধুলিলৈকে উলটি যাবা।" ২০
পাছত মানুহে নিজৰ ভাৰ্য্যাৰ নাম হৱা ৰাখিলে; কিয়নো তেওঁ সকলো
জীৱিত লোকৰ মাতৃ। ২১ ঈশ্বৰ যিহোৱাই আদম আৰু তেওঁৰ ভাৰ্যাৰ
কাৰণে ছালৰ বস্ত্ৰ তৈয়াৰ কৰি তেওঁলোকক পিন্ধাই দিলে। ২২ তাৰ
পাছত ঈশ্বৰ যিহোৱাই ক'লে, "চোৱা, ভাল বেয়া জ্ঞান পাই মানুহ
আমাৰ এজনৰ নিচিনা হৈ গৈছে। সেয়ে এতিয়া আমি মানুহক এই
অনুমতি দিব নালাগে যেন তেওঁ হাত আগবঢ়াই জীৱন বৃক্ষৰ ফল
পাৰি খাই সদাকাললৈকে জীৱিত হৈ থাকে।" ২৩ এইবুলি কৈ ঈশ্বৰ
যিহোৱাই মাটিৰ পৰা নিৰ্ম্মাণ কৰা মানুহক মাটিত খেতি কৰিবৰ বাবে
এদন বাৰীৰ পৰা বাহিৰ কৰি দিলে। ২৪ এইদৰে ঈশ্বৰে মানুহক
এদন বাৰীৰ পৰা খেদাই দিলে; তাৰ পাছত জীৱন-বৃক্ষৰ ওচৰলৈ
যোৱাৰ পথ ৰখিবলৈ, এদন বাৰীৰ পুবফালে কৰূবসকলক ৰাখিলে
আৰু চাৰিওফালে ঘূৰি থকা এখন জলন্তময় তৰোৱালকো তাত থলে।

**4** মানুহে তেওঁৰ ভাৰ্যা হৱাৰ সৈতে একেলগ হোৱাত তেওঁ গৰ্ভৱতী
হৈ কয়িনক প্ৰসৱ কৰিলে। তেতিয়া হৱাই ক'লে, "যিহোৱাৰ সহায়ত
মই এটি পুত্ৰ সন্তান পালোঁ।" ২ পাছত তেওঁ পুনৰায় কয়িনৰ ভায়েক
হেবলক প্ৰসৱ কৰিলে। হেবল এজন মেৰ-ছাগৰ পালক আৰু কয়িন
কৃষক হ'ল। ৩ পাছত এটা সময়ত কয়িনে যিহোৱাৰ উদ্দেশ্যে তেওঁৰ
ভূমিত উৎপন্ন হোৱা কিছু ফল উৎসৰ্গ কৰিলে; ৪ হেবলেও নিজৰ
জাকৰ পৰা প্ৰথমে জগা কেইটামান পশু আৰু সেইবোৰৰ চৰ্বি উৎসৰ্গ
কৰিলে। যিহোৱাই হেবলক আৰু তেওঁৰ উৎসৰ্গ গ্ৰহণ কৰিলে; ৫ কিন্তু
কয়িনক আৰু তেওঁৰ উৎসৰ্গক হলে গ্ৰহণ নকৰিলে। সেয়ে কয়িনৰ
অতিশয় খং উঠিল আৰু তেওঁৰ মুখো ক'লা পৰি গ'ল। ৬ তেতিয়া
যিহোৱাই কয়িনক ক'লে, "কিয় খং কৰিছা আৰু কেলেই বা মুখ ক'লা
কৰি আছা? ৭ তুমি যদি ভাল কাম কৰা, তেন্তে জানো তোমাক গ্ৰহণ
কৰা নহ'ব? কিন্তু যদি ভাল কাম নকৰা, তেন্তে পাপে তোমাক তাৰ বশ
কৰিবলৈ দুৱাৰ মুখত খাপ পাতি থাকে; সেয়ে তুমি তাক দমন কৰিব
লাগে।" ৮ তাৰ পাছত এদিন খেতি-পথাৰত থকাৰ সময়ত কয়িনে
ভায়েক হেবলৰ লগত কথা কৈ আছিল আৰু তেতিয়া কয়িনে নিজ
ভায়েক হেবলৰ বিৰুদ্ধে উঠি তেওঁক বধ কৰিলে। ৯ তেতিয়া যিহোৱাই
কয়িনক সুধিলে, "তোমাৰ ভাই হেবল ক'ত আছে?" কয়িনে ক'লে,
"মই নেজানো, মই মোৰ ভাইৰ ৰখীয়া নেকি?" ১০ তেতিয়া যিহোৱাই
ক'লে, "তুমি কি কৰিলা? তোমাৰ ভাইৰ তেজে ভূমিৰ পৰা মোলৈ
চিঞৰি মাতিছে। ১১ সেয়ে যি ভূমিয়ে তোমাৰ হাতৰ পৰা তোমাৰ
ভাইৰ তেজ গ্ৰহণ কৰিবৰ কাৰণে মুখ মেলিলে, সেই ভূমিৰ পৰাই
তুমি অভিশপ্ত হ'লা। ১২ এতিয়াৰে পৰা তুমি ভূমিত খেতি কৰিলেও
ভুমিৰ পৰা উৎপাদিত বহু শস্য তুমি নাপাবা। তুমি পৃথিবীত পলৰীয়া
আৰু থানথিত নোহোৱা হ'বা।" ১৩ তেতিয়া কয়িনে যিহোৱাক ক'লে,
"এই শাস্তি মোৰ বাবে অসহনীয়। ১৪ আজি আপুনি মোক ভূমিৰ পৰা
খেদি পঠালে; মই আপোনাৰ সন্মুখৰ পৰা লুকাই থকিব লগা হ'ব; এই
পৃথিবীত পলৰীয়া হৈ মই যেতিয়া ঘূৰি ফুৰিব লগা হ'ব, তেতিয়া যেয়ে
মোক পাব তেৱেঁ মোক বধ কৰিব।" ১৫ তেতিয়া যিহোৱাই তেওঁক

ক'লে, “তেনেহলে যি কোনোৱে তোমাক বধ কৰিব, তেওঁৰ ওপৰত
সাতগুণ প্ৰতিশোধ লোৱা হ'ব।” তাৰ পাছত যিহোৱাই কয়িনৰ বাবে
এনে এটা চিন দিলে যেন কোনেও তেওঁক পাই বধ নকৰে। ১৬ তাৰ
পাছত কয়িনে যিহোৱাৰ সন্মুখৰ পৰা ওলাই গৈ, এদনৰ পূব দিশে থকা
নোদ দেশত বাস কৰিলে। ১৭ কয়িনে তেওঁৰ ভাৰ্য্যাৰ সৈতে একেলগ
হোৱাত, তেওঁ গৰ্ভৱতী হৈ হনোকক প্ৰসৱ কৰিলে; কয়িনে এখন নগৰ
নিৰ্ম্মাণ কৰিলে আৰু পুত্ৰৰ নাম অনুসাৰে সেই নগৰখনৰ নাম হনোক
ৰাখিলে। ১৮ হনোকৰ পুতেকৰ নাম ঈৰদ, ঈৰদৰ পুতেকৰ নাম
মহূৱায়েল, মহূৱায়েলৰ পুতেকৰ নাম মথুচায়েল, মথুচায়েলৰ পুতেকৰ
নাম লেমক। ১৯ লেমকৰ দুগৰাকী ভাৰ্য্যা আছিল। এগৰাকীৰ নাম
আদা আৰু আনগৰাকীৰ নাম চিল্লা। ২০ আদাৰ গৰ্ভত যাবলৰ জন্ম
হ'ল; তম্বুত বাস কৰি পশুপালন কৰা লোকসকলৰ তেওঁ পূৰ্বপুৰুষ
আছিল। ২১ তেওঁৰ ভায়েকৰ নাম আছিল যুবল; তেওঁ বীণা আৰু বাঁহী
বজোৱাসকলৰ আদি পুৰুষ আছিল। ২২ চিল্লাৰ গৰ্ভত তুবল-কয়িনৰ
জন্ম হ'ল; তেওঁ পিতল আৰু লোহাৰ নানাবিধ অস্ত্ৰ গঢ়োতা আছিল;
সেই তুবল-কয়িনৰ নয়মা নামেৰে এজনী ভনীয়েক আছিল। ২৩
লেমকে তেওঁৰ দুই ভাৰ্য্যাক ক'লে, “হে আদা আৰু চিল্লা, তোমালোকে
মোৰ কথা শুনা; হে লেমকৰ ভাৰ্য্যাসকল, মোৰ কথালৈ কাণ দিয়া;
কিয়নো আঘাত কৰাৰ বাবে এজন লোকক, আঘাত কৰাৰ বাবে এজন
যুবকক মই বধ কৰিলোঁ। ২৪ কয়িনে হত্যা কৰাৰ প্ৰতিশোধ যদি
সাতগুণ হয়, তেন্তে অৱশ্যেই লেমকৰ প্ৰতিশোধ হ'ব সাতসত্তৰ গুণ।”
২৫ পাছত আদমে পুনৰায় তেওঁৰ ভাৰ্যাৰ সৈতে একেলগ হোৱাত,
তেওঁৰ পুনৰ এটি পুত্ৰ সন্তান জন্ম হ'ল। হৱাই সেই সন্তানৰ নাম চেথ
ৰাখিলে আৰু ক'লে, “কয়িনে হেবলক বধ কৰাৰ কাৰণে ঈশ্বৰে মোক
হেবলৰ সলনি পুনৰ এটি সন্তান দিলে।” ২৬ পাছত চেথৰো এটি
পুত্ৰ জন্মিল। তেওঁ তেওঁৰ নাম ইনোচ ৰাখিলে। সেই সময়ৰ পৰা
লোকসকলে যিহোৱাৰ নামেৰে প্ৰাৰ্থনা আদি কৰিবলৈ আৰম্ভ কৰিলে।

৫ এয়া হৈছে আদমৰ বংশৰ বিৱৰণ। মানুহ সৃষ্টি কৰাৰ দিনা, ঈশ্বৰে
তেওঁলোকক নিজৰ সাদৃশ্যেৰে সৃষ্টি কৰিলে; ২ তেওঁলোকক পুৰুষ

আৰু স্ত্ৰী কৰি সৃষ্টি কৰিলে; সৃষ্টিৰ সময়ত তেওঁলোকক আশীৰ্ব্বাদ কৰি “মানুহ” নাম দিলে। ৩ এশ ত্ৰিশ বছৰ বয়সত নিজৰ সাদৃশ্যেৰে আদমৰ এটি পুত্ৰ জন্মিল আৰু তেওঁৰ নাম চেথ ৰাখিলে। ৪ চেথৰ জন্মৰ পাছত আদম আঠশ বছৰ জীয়াই থাকিল। ইতিমধ্যে তেওঁৰ আৰু পুতেক জীয়েকৰ জন্ম হ’ল। ৫ সৰ্ব্বমুঠ ন শ ত্ৰিশ বছৰ জীয়াই থকাৰ পাছত আদমৰ মৃত্যু হ’ল। ৬ চেথৰ যেতিয়া এশ পাঁচ বছৰ বয়স হ’ল, তেতিয়া তেওঁৰ পুত্ৰ ইনোচৰ জন্ম হ’ল। ৭ ইনোচৰ জন্মৰ পাছত চেথ আঠ শ সাত বছৰ কাল জীয়াই আছিল। সেই সময়ত তেওঁৰ আৰু পুতেক জীয়েকৰ জন্ম হ’ল। ৮ মুঠ ন শ বাৰ বছৰ জীয়াই থকাৰ পাছত চেথৰ মৃত্যু হ’ল। ৯ ইনোচৰ নব্বই বছৰ বয়সত তেওঁৰ পুতেক কৈনন জন্মিল। ১০ কৈননৰ জন্মৰ পাছত ইনোচ আঠ শ পোন্ধৰ বছৰ জীয়াই আছিল। সেই সময়ত তেওঁৰ পুনৰ পুতেক জীয়েক জন্মিল। ১১ সৰ্ব্বমুঠ ন শ পাঁচ বছৰ জীয়াই থকাৰ পাছত ইনোচৰ মৃত্যু হ’ল। ১২ কৈননৰ সত্তৰ বছৰ বয়সত তেওঁৰ পুতেক মহললেল জন্মিল। ১৩ মহললেলৰ জন্মৰ পাছত কৈনন আঠ শ চল্লিশ বছৰ জীয়াই আছিল। সেই সময়ত তেওঁৰ আন আন পুতেক জীয়েক জন্মিল। ১৪ সৰ্ব্বমুঠ ন শ দহ বছৰ জীয়াই থকাৰ পাছত কৈননৰ মৃত্যু হ’ল। ১৫ মহললেলৰ পয়ষষ্ঠি বছৰ বয়সত তেওঁৰ পুত্ৰ যেৰদ জন্মিল। ১৬ যেৰদৰ জন্মৰ পাছত মহললেল আঠশ ত্ৰিশ বছৰ জীয়াই আছিল। সেই সময়ত তেওঁৰ পুনৰ পুতেক জীয়েক জন্মিল। ১৭ সৰ্ব্বমুঠ আঠ শ পঞ্চানব্বৈ বছৰ জীয়াই থকাৰ পাছত মহললেলৰ মৃত্যু হ’ল। ১৮ যেৰদৰ এশ বাষষ্ঠি বছৰ বয়সত তেওঁৰ পুতেক হনোক জন্মিল। ১৯ হনোকৰ জন্মৰ পাছত যেৰদ আঠ শ বছৰ জীয়াই আছিল। সেই সময়ত তেওঁৰ পুনৰ পুতেক জীয়েক জন্মিল। ২০ সৰ্ব্বমুঠ ন শ বাষষ্ঠি বছৰ জীয়াই থকাৰ পাছত যেৰদৰ মৃত্যু হ’ল। ২১ হনোকৰ পয়ষষ্ঠি বছৰ বয়সত তেওঁৰ পুতেক মথুচেলহ জন্মিল। ২২ মথুচেলহৰ জন্মৰ পাছত তিনি শ বছৰ পৰ্যন্ত ঈশ্বৰৰ লগত হনোকৰ অহা-যোৱাৰ সম্বন্ধ আছিল। সেই সময়ত তেওঁৰ পুনৰ পুতেক জীয়েক জন্মিল। ২৩ হনোক সৰ্ব্বমুঠ তিনি শ পয়ষষ্ঠি বছৰ কাল আছিল। ২৪ তাৰ পাছত তেওঁক পুনৰ দেখা নগ’ল; ঈশ্বৰৰ লগত অহা-

যোৱাৰ সম্বন্ধ আছিল বাবেই ঈশ্বৰে তেওঁক লৈ গ'ল। ২৫ মথুচেলহৰ এশ সাতাশী বছৰ বয়সত তেওঁৰ পুতেক লেমক জন্মিল। ২৬ লেমকৰ জন্মৰ পাছত মথুচেলহ সাত শ বিৰাশী বছৰ জীয়াই আছিল। সেই সময়ত তেওঁৰ আৰু পুতেক জীয়েক জন্মিল। ২৭ সৰ্ব্বমুঠ ন শ উনসত্তৰ বছৰ জীয়াই থকাৰ পাছত মথুচেলহৰ মৃত্যু হ'ল। ২৮ লেমকৰ এশ বিৰাশী বছৰ বয়সত এটি পুত্ৰ জন্মিল; ২৯ তেওঁ ক'লে, "যিহোৱাই ভূমিক শাও দিয়াৰ কাৰণে আমি যি পৰিশ্ৰম আৰু হাতেৰে কষ্ট কৰিব লাগে, তাৰ মাজতো আমাক এই ল'ৰায়েই শান্তনা দিব।" এই বুলি কৈ তেওঁ তেওঁৰ নাম নোহ ৰাখিলে। ৩০ নোহৰ জন্মৰ পাছত লেমক পাঁচ শ পঞ্চানব্বৈ বছৰ জীয়াই আছিল। সেই সময়ত তেওঁৰ পুনৰ পুতেক আৰু জীয়েক জন্মিল। ৩১ সৰ্ব্বমুঠ সাত শ সাতসত্তৰ বছৰ জীয়াই থকাৰ পাছত লেমকৰ মৃত্যু হ'ল। ৩২ নোহ পাঁচ শ বছৰ জীয়াই থকাত তেওঁৰ চেম, হাম আৰু যেফৎ এই তিনিজন পুত্ৰৰ জন্ম হ'ল।

**৬** এইদৰে পৃথিবীত মানুহৰ সংখ্যা বাঢ়িবলৈ ধৰিলে আৰু তেওঁলোকৰ মাজত অনেক কন্যা সন্তানৰো জন্ম হ'ল। ২ ঈশ্বৰৰ সন্তানসকলে মানুহৰ এই যুৱতীবোৰক ৰূপৱতী দেখিলে আৰু সেয়ে, তেওঁলোকৰ যিয়ে যাকে পছন্দ কৰে, তেওঁ তাইকে বিয়া কৰাই ল'লে। ৩ এই অৱস্থা দেখি যিহোৱাই ক'লে, "মোৰ আত্মাই চিৰকাললৈকে মানুহত থাকি অধিকাৰ নচলাব; কিয়নো মানুহ ৰক্তমাংসৰে গঠিত মাত্ৰ। তেওঁলোক এশ বিশ বছৰ জীয়াই থাকিব।" ৪ সেইকালত আৰু পৰৱৰ্তীকালত পৃথিৱীত নাফিলসকল আছিল। তেওঁলোক আছিল ঈশ্বৰৰ সন্তান সকলৰ লগত মানুহৰ যুৱতীবোৰৰ মিলনৰ ফলত জন্ম পোৱা সন্তান। নাফিলসকল পুৰনাকালৰ মহাবলী পুৰুষৰূপে বিখ্যাত আছিল। ৫ যিহোৱাই দেখিলে যে, পৃথিবীত মানুহৰ দুষ্টতা অধিককৈ বৃদ্ধি পাইছে আৰু তেওঁলোকৰ হৃদয়ৰ সকলো ভাৱ-চিন্তা সকলো সময়তে কেৱল মন্দতাৰ ফালে যায়। ৬ পৃথিৱীত মানুহ সৃষ্টি কৰি যিহোৱা দুঃখিত হ'ল আৰু অন্তৰত বেজাৰ পালে। ৭ সেয়ে যিহোৱাই ক'লে, "মই নিজে সৃষ্টি কৰা মানুহক পৃথিবীৰ পৰা উচ্ছন্ন কৰিম; মানুহৰ লগতে সকলো ডাঙৰ জীৱ-জন্তু, বগাই ফুৰা প্ৰাণী আৰু আকাশৰ চৰাইবোৰ লুপ্ত কৰিম;

কিয়নো এই সকলোকে সৃষ্টি কৰি মই দুখ পাইছো।”  ৮ কিন্তু নোহৰ
প্ৰতি যিহোৱাৰ অনুগ্ৰহৰ দৃষ্টি আছিল।  ৯ এয়া হৈছে নোহৰ বিৱৰণ।
নোহ এজন ধাৰ্মিক লোক আছিল। সেই সময়ৰ লোকসকলৰ মাজত
তেৱেঁই সিদ্ধ আছিল; ঈশ্বৰৰ লগত নোহে সম্পৰ্ক ৰাখি চলিছিল।
১০ চেম, হাম আৰু যেফৎ নামৰ নোহৰ তিনিজন পুত্ৰ আছিল।  ১১
সেই কালত ঈশ্বৰৰ দৃষ্টিত গোটেই পৃথিৱী দুৰ্নীতি আৰু হিংসাৰে
পৰিপূৰ্ণ হৈ পৰিছিল।  ১২ ঈশ্বৰে পৃথিৱীলৈ দৃষ্টিপাত কৰি দেখিলে
যে, পৃথিৱী ভ্ৰষ্টতাৰে পূৰ্ণ হৈছে; কিয়নো পৃথিবীৰ সকলো প্ৰাণীয়ে
দুৰ্নীতিৰ পথত চলিবলৈ ধৰিলে।  ১৩ ঈশ্বৰে নোহক ক’লে, “মই দেখা
পাইছো যে, সমগ্ৰ মানৱজাতিকে ধ্বংস কৰাৰ সময় হ’ল; কিয়নো
তেওঁলোকে ক্ৰোধ আৰু হিংসাৰে পৃথিৱী পৰিপূৰ্ণ কৰিছে। মানুহৰ
লগতে মই পৃথিৱীৰ সকলোকে ধ্বংস কৰিম।  ১৪ তুমি নিজৰ কাৰণে
গোফৰ কাঠেৰে এখন জাহাজ নিৰ্ম্মাণ কৰা। তাৰ ভিতৰত কিছুমান
কোঠালি থাকিব আৰু সেই জাহাজৰ ভিতৰে বাহিৰে শিলাজতুৰে লিপি
দিবা।  ১৫ জাহাজখন তুমি এইদৰে নিৰ্ম্মাণ কৰিবা: দীঘলে তিনিশ
হাত, পথালিয়ে পঞ্চাশ হাত আৰু তাৰ উচ্চতা হ’ব ত্ৰিশ হাত।  ১৬
জাহাজখনত এখন চালি বনাবা আৰু চালৰ পৰা তললৈ একহাত পৰ্যন্ত
খিড়িকি কৰিবা আৰু জাহাজৰ কাষত দুৱাৰ ৰাখিবা; প্ৰথম, দ্বিতীয় আৰু
তৃতীয় এনে তিনি তলাকৈ তাক নিৰ্ম্মাণ কৰিবা;  ১৭ আৰু চোৱা, মই
পৃথিৱীত এনে এক বন্যা আনিম, তাতে আকাশৰ তলত শ্বাস-প্ৰশ্বাস
লৈ জীয়াই থকা সকলো প্ৰাণীয়েই ধ্বংস হৈ যাব। তেতিয়া পৃথিৱীত
থকা সকলো প্ৰাণীৰ মৃত্যু হ’ব।  ১৮ কিন্তু মই তোমাৰ লগত মোৰ
ব্যৱস্থা স্থাপন কৰিম; তুমি গৈ জাহাজত উঠিবা আৰু তোমাৰ লগত
তোমাৰ পুত্ৰসকল, তোমাৰ ভাৰ্যা আৰু তোমাৰ পো-বোৱাৰীসকল
থাকিব।  ১৯ তোমাৰ লগত জীয়াই ৰাখিবলৈ প্ৰত্যেকবিধ প্ৰাণীৰ পৰা
মতা মাইকী এযোৰ এযোৰকৈ জাহাজত তুলিবা।  ২০ বিধে বিধে
চৰাই, বিধে বিধে পশু, আৰু বিধে বিধে মাটিত বগাই ফুৰা সকলোৰে
এযোৰ এযোৰকৈ তোমাৰ ওচৰলৈ আহিব। তুমি সিহঁতক জীয়াই
ৰাখিবা।  ২১ তুমি সকলোবিধৰ খোৱা-বস্তু গোটাই থ’বা। সেইবোৰ

তোমাৰ আৰু সিহঁতৰ বাবে আহাৰ হ'ব।" ২২ তেতিয়া নোহে সেই
দৰেই কৰিলে; ঈশ্বৰে আজ্ঞা দিয়াৰ দৰেই তেওঁ সকলোকে কৰিলে।

**৭** তাৰ পাছত যিহোৱাই নোহক ক'লে, "তুমি আৰু তোমাৰ পৰিয়ালৰ
সকলোৱে জাহাজত উঠাগৈ; কিয়নো মোৰ দৃষ্টিত এই কালৰ
লোকসকলৰ মাজত কেৱল তুমিয়েই ধাৰ্মিক হৈ আছা। ২ তুমি তোমাৰ
লগত প্ৰতিবিধ শুচি পশুৰ মতা মাইকী সাতোটা সাতোটা আৰু অশুচি
পশুৰ মতা মাইকী এযোৰ এযোৰ কৈ আনিবা। ৩ আকাশত উৰিফুৰা
চৰাইবোৰৰো মতা মাইকী সাতোটা সাতোটা তোমাৰ লগত ল'বা;
পৃথিৱীৰ ওপৰত সেইবোৰৰ বংশ জীয়াই ৰাখিবলৈ তুমি ইয়াকে
কৰিবা। ৪ সাত দিনৰ পাছত মই দিনে-ৰাতিয়ে চল্লিশ দিনলৈকে
পৃথিবীৰ ওপৰত বৰষুণ বৰষাম আৰু মই সৃষ্টি কৰা সকলোবোৰ
জীৱকুলকে পৃথিৱীৰ পৰা উচ্ছন্ন কৰিম।" ৫ যিহোৱাৰ আজ্ঞা অনুসাৰে
নোহে সকলোকে কৰিলে। ৬ পৃথিৱীত জলপ্লাৱন হোৱাৰ সময়ত
নোহৰ বয়স আছিল ছশ বছৰ। ৭ জলপ্লাৱনৰ পৰা ৰক্ষা পাবৰ কাৰণে
নোহ, তেওঁৰ ভাৰ্যা, তেওঁৰ পুত্ৰসকল আৰু তেওঁলোকৰ ভাৰ্য্যাসকল
জাহাজত উঠিল। ৮ শুচি আৰু অশুচি পশু, চৰাই আৰু মাটিত বগাই
ফুৰা সকলোবিধ জন্তুৰ ৯ মতা মাইকী যোৰ যোৰকৈ নোহৰ ওচৰলৈ
আহিল আৰু ঈশ্বৰে আজ্ঞা দিয়াৰ দৰে সেইবোৰ জাহাজত উঠিল। ১০
সাত দিনৰ পাছত পৃথিৱীত জল-প্লাৱন হ'বলৈ ধৰিলে। ১১ নোহৰ বয়স
যেতিয়া ছশ বছৰ হৈছিল, সেই বছৰৰ দ্বিতীয় মাহৰ সোঁতৰ দিনৰ দিনা
ভূগৰ্ভস্থৰ সকলো ভুমুক ফুটি পানী ওলাবলৈ ধৰিলে আৰু আকাশৰ
খিড়িকিবোৰ মুকলি হ'ল। ১২ চল্লিশ দিন আৰু চল্লিশ ৰাতি পৃথিৱীত
বৰষুণ হ'ল। ১৩ যি দিনা বৰষুণ পৰিবলৈ আৰম্ভ কৰিলে, সেই দিনা
নোহ, তেওঁৰ ভাৰ্যা, তেওঁৰ তিনিজন পুত্ৰ চেম, হাম, যেফৎ আৰু
তিনিগৰাকী পুত্ৰ-বোৱাৰী জাহাজত গৈ উঠিল। ১৪ তেওঁলোকৰ লগত
বিধে বিধে সকলো বনৰীয়া পশু আৰু ঘৰচীয়া পশু, বিধে বিধে মাটিত
বগাই ফুৰা সকলো প্ৰাণী আৰু সকলো বিধ চৰাই চিৰিকটিও উঠিল।
১৫ শ্বাস-প্ৰশ্বাস লৈ জীয়াই থকা সকলো প্ৰাণী এযোৰ এযোৰকৈ নোহৰ
ওচৰলৈ আহি জাহাজত সোমাল। ১৬ ঈশ্বৰে তেওঁক যেনেদৰে আজ্ঞা

দিছিল, সেই অনুসাৰে সকলো প্ৰাণীৰে মতা আৰু মাইকী জাহাজত
সোমালগৈ; তাৰ পাছত যিহোৱাই জাহাজৰ দুৱাৰ বন্ধ কৰি দিলে।
১৭ তাৰ পাছত চল্লিশ দিনলৈকে পৃথিবীৰ ওপৰত জলপ্লাৱনৰ পানী
বাঢ়ি যাবলৈ ধৰিলে; পানী বাঢ়ি যোৱাত জাহাজখন মাটিৰ পৰা দাং
খাই পানীত ওপঙি উঠিল। ১৮ পৃথিৱীৰ ওপৰত পানী বাঢ়ি বাঢ়ি
গৈ থাকিল আৰু সোঁত প্ৰৱলৰূপে প্লাৱিত হোৱাত জাহাজখন পানীত
ওপঙিবলৈ ধৰিলে। ১৯ পৃথিবীৰ ওপৰত পানী কেৱল বাঢ়িয়েই থাকিল;
সমুদায় আকাশৰ তলত থকা সকলো ওখ ওখ পৰ্ব্বত ডুব গ'ল। ২০
পাহাৰ-পৰ্ব্বতবোৰ ডুব গৈ পোন্ধৰ হাত ওপৰলৈকে পানী উঠিল।
২১ পৃথিৱীৰ ওপৰত থকা সকলো জীৱিত প্ৰাণীৰে মৃত্যু হ'ল। চৰাই-
চিৰিকতি, ঘৰচীয়া আৰু বনৰীয়া পশু, মাটিৰ ওপৰত জাক পাতি ঘূৰি
ফুৰা কীট-পতঙ্গ আৰু সকলো মানুহৰেই মৃত্যু হ'ল। ২২ শুকান মাটিৰ
ওপৰত থকা সকলো প্ৰাণীৰে অৰ্থাৎ শ্বাস-প্ৰশ্বাস লৈ জীয়াই থকা
আটাই প্ৰাণীৰে মৃত্যু হ'ল। ২৩ এইদৰে পৃথিৱীৰ ওপৰি ভাগত থকা
সকলো প্ৰাণীকে নিঃশেষ কৰা হ'ল - মানুহকে আদি কৰি ডাঙৰ ডাঙৰ
পশু, বগাই ফুৰা প্ৰাণী আৰু আকাশৰ চৰাইবোৰক উচ্ছন্ন কৰা হ'ল;
কেৱল নোহ আৰু তেওঁৰ লগত যি সকল জাহাজত থাকিল সেইসকলহে
জীয়াই থাকিল। ২৪ এইদৰে পৃথিবীৰ ওপৰত এশ পঞ্চাশ দিনলৈকে
জলপ্লাৱন হৈ আছিল।

৮ পাছত ঈশ্বৰে নোহ আৰু তেওঁৰ লগত জাহাজত থকা পশু আদি
সকলো প্ৰাণীকে সুঁৱৰিলে; তেওঁ পৃথিবীৰ ওপৰেদি বতাহ বোৱালে
আৰু তাতে পানী কমিবলৈ ধৰিলে। ২ ভূগৰ্ভস্থৰ জলৰ ভুমুকবোৰ আৰু
আকাশৰ খিড়িকিবোৰ বন্ধ হৈ গ'ল; আকাশৰ পৰা বৰষুণ পৰিবলৈ
এৰিলে। ৩ পৃথিবীৰ ওপৰৰ পানী ক্ৰমান্বয়ে কমিবলৈ ধৰিলে আৰু
এশ পঞ্চাশ দিনৰ মূৰত পানী অনেক কমিল। ৪ সেই বছৰৰ সপ্তম
মাহৰ সোঁতৰ দিনৰ দিনা জাহাজখন অৰাৰট পৰ্ব্বতশ্ৰেণীৰ ওপৰত গৈ
লাগি ৰ'ল। ৫ তাৰ পাছতো পানী ক্ৰমে কমি কমি গৈ থাকিল আৰু
দশম মাহৰ প্ৰথম দিনা পৰ্ব্বতশ্ৰেণীৰ টিংবোৰ দেখা গ'ল। ৬ তাৰ
পাছত চল্লিশ দিন পাৰ হোৱাত নোহে নিজে সজা জাহাজৰ খিড়িকিখন

মেলিলে। ৭ তেওঁ এটি ঢোৰা কাউৰী বাহিৰলৈ উড়ুৱাই পঠালে।
পৃথিৱীৰ পৰা পানী নুশুকুৱা পৰ্যন্ত কাউৰীজনীয়ে অহা-যোৱা কৰি উড়ি
ফুৰিছিল। ৮ তাৰ পাছত পৃথিবীৰ পৰা পানী শুকাল নে নাই, তাক
জানিবৰ কাৰণে তেওঁ এটা কপৌ বাহিৰলৈ উড়ুৱাই পঠালে। ৯ কিন্তু
তেতিয়াও গোটেই পৃথিৱীত পানী আছিল আৰু সেয়ে কপৌজনীয়ে
নিজৰ ভৰি থ'বলৈ ঠাই বিচাৰি নাপাই জাহাজলৈ নোহৰ ওচৰলৈ উভটি
আহিল। তেতিয়া নোহে হাত মেলি তাক ধৰি জাহাজত নিজৰ ওচৰলৈ
সুমুৱাই আনিলে। ১০ তাৰ পাছত তেওঁ আৰু সাত দিন অপেক্ষা কৰি
পুনৰ সেই কপৌজনীক জাহাজৰ পৰা উড়ুৱাই পঠালে। ১১ সন্ধিয়া
সময়ত কপৌজনী নোহৰ ওচৰলৈ উলটি আহিল আৰু তাইৰ ঠোঁটত
এইমাত্ৰ চিঙি অনা জিতগছৰ নতুন পাত এখিলা আছিল; তেতিয়া
নোহে বুজি পালে যে, পৃথিবীৰ ওপৰৰ পৰা পানী কমি গৈছে। ১২
নোহে আৰু সাত দিন অপেক্ষা কৰি পুনৰ সেই কপৌজনীক উড়ুৱাই
পঠালে; কিন্তু এইবাৰ তাই আৰু তেওঁৰ ওচৰলৈ পুনৰ উভটি নাহিল।
১৩ নোহৰ বয়স তেতিয়া ছশ এক বছৰ। সেই বছৰৰ প্ৰথম মাহৰ
প্ৰথম দিনৰ পৰা পৃথিবীৰ পানী শুকাবলৈ ধৰিলে; তেতিয়া নোহে
জাহাজৰ দুৱাৰখন মেলি বাহিৰলৈ চাই দেখিলে যে, ভূমিৰ ওপৰৰ
পানী শুকাই গৈছে। ১৪ দ্বিতীয় মাহৰ সাতাইশ দিনৰ ভিতৰত পৃথিৱী
একেবাৰে শুকাই গ'ল। ১৫ তেতিয়া ঈশ্বৰে নোহক ক'লে, ১৬ "তুমি
তোমাৰ ভাৰ্যা, পুত্ৰ আৰু বোৱাৰীসকলক লগত লৈ, জাহাজৰ পৰা
ওলাই যোৱা। ১৭ তোমাৰ লগত চৰাই, ঘৰচীয়া পশু আৰু মাটিত বগাই
ফুৰা উৰগ আদি কৰি সকলো জীৱিত প্ৰাণীকে জাহাজৰ পৰা উলিয়াই
আনা; সেইবোৰে পৃথিৱীত সিহঁতৰ বংশ বৃদ্ধি কৰক আৰু বহুবংশ হৈ
সংখ্যাত বাঢ়ি যাওক।" ১৮ তেতিয়া নোহে তেওঁৰ ভাৰ্যা, তেওঁৰ পুত্ৰ
আৰু বোৱাৰীসকলৰ সৈতে জাহাজৰ বাহিৰলৈ ওলাই আহিল। ১৯
পৃথিৱীত ঘূৰি-ফুৰা সকলো জীৱিত প্ৰাণী, সকলো বগাই ফুৰা জীৱ,
পশু-পক্ষীও নিজৰ জাতি অনুসাৰে জাহাজৰ পৰা ওলাই আহিল। ২০
তাৰ পাছত নোহে যিহোৱাৰ উদ্দেশ্যে এটা যজ্ঞ-বেদি নিৰ্ম্মাণ কৰিলে;
তেওঁ কিছুমান শুচি পশু আৰু পক্ষী লৈ সেই বেদীৰ ওপৰত হোম-বলি

উৎসৰ্গ কৰিলে। ২১ যিহোৱাই সেই হোম-বলিৰ সুঘ্ৰাণত সন্তোষ পাই
নিজৰ মনেতে ক'লে, "সৰু কালৰে পৰা মানুহৰ মন মন্দতাৰ ফালে
ঢাল খোৱা; কিন্তু মই মানুহৰ কাৰণে ভূমিক আৰু কেতিয়াও শাও
নিদিওঁ; সেয়ে, মই যি দৰে কৰিলোঁ, পুনৰায় সেইদৰে সকলো প্ৰাণীক
ধ্বংস নকৰোঁ। ২২ যিমান দিনলৈকে এই পৃথিৱী থাকিব, সিমান দিন
শস্য ৰোৱা আৰু শস্য দোৱাৰ সময় থাকিব; সিমান দিন শীতকাল আৰু
গ্ৰীষ্মকাল, গৰম আৰু ঠাণ্ডা, দিন আৰু ৰাতি এইবোৰ চলি থাকিব।"

**৯** ঈশ্বৰে নোহ আৰু তেওঁৰ পুত্ৰসকলক আশীৰ্ব্বাদ কৰি ক'লে,
"তোমালোক বহুবংশ হৈ বাঢ়ি বাঢ়ি পৃথিৱীখন পৰিপূৰ্ণ কৰা। ২ পৃথিৱীৰ
সকলো জীৱ-জন্তু, আকাশৰ চৰাই, মাটিত বগাই ফুৰা সকলোবোৰ
প্ৰাণী আৰু সমুদ্ৰৰ সকলো মাছে তোমালোকক ভয় কৰিব; সেইবোৰ
তোমালোকৰ হাতত শোধাই দিয়া হৈছে। ৩ সকলো চলা-ফুৰা কৰা
প্ৰাণীয়েই তোমালোকৰ আহাৰ হ'ব; যি দৰে তোমালোকক সকলো
সেউজীয়া শস্য আদি আহাৰ হিচাবে দিলোঁ, তেনেদৰে এতিয়া মই
এই সকলোবোৰ তোমালোকক দিছোঁ। ৪ কিন্তু প্ৰাণে সৈতে অৰ্থাৎ
তেজেৰে সৈতে তোমালোকে মঙহ নাখাবা। ৫ কিন্তু তোমালোকক
যদি কোনোবাই বধ কৰে, তোমালোকৰ সেই তেজৰ কাৰণে, যি
তেজত তোমালোকৰ প্ৰাণ আছে তাৰ প্ৰতিকাৰ মই অৱশ্যেই সাধিম;
সেয়ে পশুৱেই হওঁক বা মানুহেই হওঁক, প্ৰত্যেকৰে পৰা তাক সাধিম।
এনেকি নিজ ভায়েকক হত্যা কৰা প্ৰত্যেক মানুহৰ পৰাও প্ৰাণৰ
প্ৰতিকাৰ মই সাধিম। ৬ ঈশ্বৰে মানুহক নিজ প্ৰতিমূৰ্ত্তিৰ দৰেই নিৰ্ম্মাণ
কৰিলে। সেয়ে, কোনো মানুহে যদি কাৰোবাৰ ৰক্তপাত কৰে, তেন্তে
মানুহৰ দ্বাৰাই তেওঁৰো ৰক্তপাত কৰা হ'ব; ৭ তোমালোক বহুবংশ
হৈ বৃদ্ধি হোৱা; পৃথিবীৰ চৌদিশে বিয়পি পৰা আৰু প্ৰচুৰ পৰিমাণে
সংখ্যাত বৃদ্ধি পাই যোৱা।" ৮ তাৰ পাছত ঈশ্বৰে নোহক আৰু তেওঁৰ
লগত থকা তেওঁৰ পুত্ৰসকলক ক'লে, ৯ "চোৱা! মই তোমালোকৰ
আৰু তোমালোকৰ বংশধৰসকলৰ সৈতে আৰু ১০ যি সকলো প্ৰাণী
তোমালোকৰ লগত আছে অৰ্থাৎ চৰাই, ঘৰচীয়া আৰু বনৰীয়া পশু
আদি কৰি তোমালোকৰ লগত থকা যিমান জীৱ-জন্তু জাহাজৰ পৰা

ওলাল, পৃথিৱীত থকা সেই সকলোবোৰৰ কাৰণে মই মোৰ নিয়ম
স্থাপন কৰোঁ। ১১ মই তোমালোকৰ সৈতে মোৰ এই নিয়মটি স্থাপন
কৰিলোঁ যে, জল-প্লাৱনৰ দ্বাৰাই কেতিয়াও কোনো প্ৰাণীকে আৰু বিনষ্ট
কৰা নহব; পৃথিৱী ধ্বংস কৰাৰ দৰে জল-প্লাৱনো আৰু কেতিয়াও
নহ'ব।" ১২ ঈশ্বৰে আৰু ক'লে, "মোৰ আৰু তোমালোকৰ মাজত আৰু
তোমালোকৰ লগত যি সকলো জীৱিত প্ৰাণী আছে, সেই সকলোৰে
সৈতে ভৱিষ্যতৰ সকলো বংশৰ কাৰণে যি নিয়ম স্থাপন কৰিলোঁ,
তাৰ চিন এই: ১৩ মেঘত মই মোৰ ধনু থৈছো; এই মেঘধনুয়েই হ'ব
মোৰ আৰু পৃথিৱীৰ মাজত হোৱা প্ৰতিজ্ঞাৰ চিন। ১৪ যেতিয়া মই
পৃথিৱীৰ ওপৰলৈ মেঘ আনিম, তেতিয়া তোমালোকে সেই মেঘৰ
মাজত মেঘধনু দেখা পাবা; ১৫ তেতিয়া মোৰ আৰু তোমালোকৰ
মাজত আৰু তোমালোকৰ লগত যি সকলো জীৱিত প্ৰাণী আছে,
সেই সকলোৰে বাবে কৰা মোৰ নিয়মৰ কথা মই সুঁৱৰিম; তাতে
পানীয়ে সকলো প্ৰাণী ধ্বংস কৰাকৈ কেতিয়াও আৰু জলপ্লাৱন নহ'ব।
১৬ মেঘত যেতিয়া মেঘধনু ওলাব, তেতিয়া মই তাক দেখি পৃথিৱীৰ
সকলো প্ৰাণীৰ কাৰণে মোৰ এই চিৰস্থায়ী নিয়মৰ কথা মই সোঁৱৰণ
কৰিম।" ১৭ ঈশ্বৰে নোহক ক'লে, "মোৰ আৰু পৃথিৱীত থকা সকলো
প্ৰাণীৰে মাজত মই যি নিয়ম স্থাপন কৰিছোঁ, ইয়েই হৈছে তাৰ চিন।
১৮ জাহাজৰ পৰা নোহৰ পুত্ৰ চেম, হাম আৰু যেফৎ বাহিৰলৈ ওলাই
আহিল। পাছত কনান নামেৰে হামৰ এটি পুত্ৰ জন্মিল। ১৯ গোটেই
পৃথিৱীতে নোহৰ এই তিনি জন পুত্ৰৰ বংশধৰসকল বিয়পি পৰিল। ২০
নোহ এজন কৃষক হ'ল আৰু তেওঁ এখন দ্ৰাক্ষাবাৰী পাতিলে। ২১ তেওঁ
এদিন দ্ৰাক্ষাৰস খাই মতলীয়া হ'ল আৰু নিজৰ তম্বুৰ ভিতৰত বিবস্ত্ৰ
হৈ পৰি আছিল। ২২ তেতিয়া কনানৰ পিতৃ হামে নিজৰ দেউতাকক
বিবস্ত্ৰ অৱস্থাত দেখিলে আৰু বাহিৰলৈ আহি সেই কথা তেওঁৰ দুজন
ভাই-ককাইক ক'লে। ২৩ তাতে চেম আৰু যেফতে এখন কাপোৰ
তেওঁলোকৰ কান্ধত তুলি ল'লে আৰু পাছ হুঁহকি হুঁহকি গৈ বাপেকৰ
বিবস্ত্ৰতা ঢাকিলে। তেওঁলোকৰ মুখ বিপৰীত দিশত আছিল বাবে
বাপেকৰ নগ্নতা তেওঁলোকে দেখা নাপালে। ২৪ পাছত নোহৰ চেতনা

অহাত তেওঁৰ সৰু পুতেকে তেওঁলৈ যি কৰিলে, তাক জানিবলৈ পালে।
২৫ তেতিয়া তেওঁ ক'লে, "কনানৰ ওপৰত অভিশাপ আহঁক; সি তাৰ
ভাতৃসকলৰ দাসবোৰৰো দাস হওক।" ২৬ তেওঁ পুনৰ ক'লে, "চেমৰ
ঈশ্বৰ যিহোৱা ধন্য; কনান চেমৰ দাস হওক। ২৭ ঈশ্বৰে যেফতক
যেন বিস্তাৰিত কৰে, সি চেমৰ তম্বুত বসতি কৰক, আৰু কনান তাৰ
দাস হওঁক।" ২৮ জল-প্লাৱনৰ পাছত নোহ পুনৰ তিনিশ পঞ্চাশ বছৰ
জীয়াই থাকিল। ২৯ পাছত নোহৰ সৰ্ব্বমুঠ ন শ পঞ্চাশ বছৰ বয়সত
তেওঁৰ মৃত্যু হ'ল।

**১০** নোহৰ পুত্ৰ চেম, হাম আৰু যেফতৰ বংশৰ বিৱৰণ এই:
জলপ্লাৱনৰ পাছত তেওঁলোকৰ বহুতো সন্তান জন্ম হ'ল। ২ যেফতৰ
সন্তানসকলৰ নাম গোমৰ, মাগোগ, মাদয়, যাবন, তুবল, মেচেক আৰু
তীৰচ। ৩ গোমৰৰ সন্তান সকল হ'ল অস্কিনজ, ৰীফৎ, আৰু তোগৰ্মা।
৪ যাবনৰ সন্তান সকল হ'ল ইলীচা, তৰ্চীচ, কিত্তীম আৰু দোদানীম। ৫
যাবনৰ বংশৰ লোকসকলে সাগৰৰ কাষৰীয় অঞ্চল আৰু দ্বীপবোৰত
বসবাস কৰিলে। তেওঁলোকৰ বংশধৰসকল বিভক্ত হৈ বিভিন্ন জাতি
হ'ল আৰু প্ৰত্যেক জাতিৰ নিজস্ব ভাষা, গোষ্ঠী আৰু অঞ্চল হ'ল। ৬
হামৰ সন্তান সকলৰ নাম কুচ, মিচৰ, পূট, আৰু কনান। ৭ কুচৰ
সন্তান সকল হ'ল চবা, হবীলা, চবতা, ৰয়মা, আৰু চবতকা; ৰয়মাৰ
সন্তান সকল হ'ল চিবা আৰু দদান। ৮ কুচৰ পুত্ৰৰ নাম নিম্ৰোদ;
এই নিম্ৰোদ পৃথিবীত এজন মহা-পৰাক্ৰমী পুৰুষ হৈ উঠিছিল। ৯
যিহোৱাৰ সন্মুখত তেওঁ আছিল এজন পৰাক্ৰমী চিকাৰী। সেইবাবে
তেওঁৰ তুলনা দি এই লোক-প্ৰবাদ আছে, "নিম্ৰোদৰ নিচিনা, যিহোৱাৰ
সন্মুখতো এজন পৰাক্ৰমী চিকাৰী।" ১০ নিম্ৰোদৰ ৰাজত্বৰ প্ৰথম
ঠাইবোৰ আছিল চিনাৰ দেশৰ বাবিল, এৰক, অক্কদ, আৰু কলনি। ১১
তেওঁ সেই ঠাইৰ পৰা অচুৰ দেশলৈকে গ'ল; তেওঁ নীনবি, ৰহোবোৎ-
ঈৰ, কেলহ, ১২ আৰু ৰেচন, এইবোৰ নগৰ নিৰ্ম্মাণ কৰিলে। নীনবি
আৰু কেলহৰ মাজত অৱস্থিত ৰেচন এখন মহানগৰ আছিল। ১৩
লুদীয়া, অনামীয়া, লহাবীয়া, নপ্তুহীয়া, ১৪ পথ্ৰোচীয়া, কচলুহীয়া আৰু
কপ্তোৰীয়াসকল মিচৰৰ বংশৰ লোক আছিল। পলেষ্টীয়াসকল এই

কচলুহীয়াসকলৰ পৰা আহিছিল। ১৫ কনান, চীদোন আৰু হেতৰ পিতৃ আছিল। চীদোন আছিল কনানৰ প্ৰথম সন্তান। ১৬ যিবুচীয়া ইমোৰীয়া, গিৰ্গাচীয়া, ১৭ হিব্বীয়া, অৰ্কীয়া, চীনীয়া, ১৮ অৰ্বদীয়া, চমৰীয়া, আৰু হমাতীয়াসকলো কনানৰ বংশৰ লোক আছিল। পাছত কনানীয়া গোষ্ঠীবোৰ বিস্তাৰিত হৈ পৰিল। ১৯ কনানীয়াসকলৰ সীমা চীদোনপৰা গৰাৰৰ ফালে গাজা পৰ্যন্ত আৰু চদোম, ঘমোৰা, অদ্মা, আৰু চবোয়ীমলৈ যোৱাৰ ফালে লেচা পৰ্যন্ত আছিল। ২০ নিজৰ নিজৰ ফৈদ, ভাষা, দেশ আৰু জাতি হিচাবে এইসকল লোকেই আছিল হামৰ বংশৰ লোক। ২১ যেফতৰ ডাঙৰ ককায়েক চেমৰো সন্তান-সন্ততি হ'ল। চেম এবৰৰ বংশধৰসকলৰ আদি পুৰুষ আছিল। ২২ চেমৰ পুত্ৰসকল থ'ল এলম, অচুৰ, অৰ্ফকচদৰ, লুদ আৰু অৰাম। ২৩ অৰামৰ পুত্ৰসকল উচ, হুল, গেথৰ, আৰু মচ। ২৪ অৰ্ফকচদৰ সন্তানৰ নাম চেলহ আৰু চেলহৰ সন্তানৰ নাম এবৰ। ২৫ এবৰৰ দুজন পুত্ৰ আছিল। তেওঁলোকৰ এজনৰ নাম পেলগ, কিয়নো তেওঁৰ দিনতে পৃথিৱী বিভক্ত হৈছিল। পেলগৰ ভায়েকৰ নাম আছিল যক্তন। ২৬ যক্তনৰ পুত্ৰসকলৰ নাম অলমোদদ, চেলফ, হচমাবৎ, যেৰহ, ২৭ হদোৰাম, উজল, দিক্লা, ২৮ ওবল, অবীমায়েল, চিবা, ২৯ ওফীৰ, হবীলা আৰু যোবব; এইলোক সকলোৱেই যক্তনৰ সন্তান। ৩০ মেচাৰ পৰা পূব দিশৰ ছফাৰ পৰ্ব্বতলৈকে যোৱা অঞ্চলত তেওঁলোকে বসবাস কৰিছিল। ৩১ নিজৰ নিজৰ ফৈদ, ভাষা, দেশ আৰু জাতি হিচাবে এইসকল লোকেই আছিল চেমৰ বংশৰ লোক। ৩২ এয়াই হ'ল বংশানুক্ৰমে আৰু জাতি অনুসাৰে নোহৰ পুত্ৰসকলৰ গোষ্ঠী। জলপ্লাৱনৰ পাছত এওঁলোকৰ বংশৰ লোকসকলেই পৃথক পৃথক জাতি হ'ল আৰু গোটেই পৃথিৱীতে সিচঁৰিত হ'ল।

**১১** সেই সময়ত গোটেই পৃথিৱীৰ মানুহে কেৱল এটা ভাষাতে কথা কৈছিল। ২ পাছত লোকসকলে পূব দিশে ঘূৰি ফুৰি গৈ চিনাৰ দেশত আহি এখন সমতল ভূমি পালে আৰু তাতে বাস কৰিবলৈ ধৰিলে। ৩ তেওঁলোকে এজনে আন জনক ক'লে, “ব'লা, আমি ইটা সাজি ভালকৈ জুইত পোৰোঁহঁক।” এইবুলি কৈ তেওঁলোকে শিলৰ সলনি

ইটা আৰু গাঁথনিৰ কাৰণে এঠামাটিৰ সলনি আলকতৰাৰ প্ৰলেপ
ল'লে। ৪ তেওঁলোকে ক'লে, "আহাঁ, আমি নিজৰ কাৰণে এখন নগৰ
নিৰ্ম্মাণ কৰোঁ আৰু এনে এটা উচ্চ স্তম্ভ নিৰ্ম্মাণ কৰোঁহক যাৰ চূড়াই
আকাশ চুব পাৰে। আমি আমাৰ নাম খ্যাতিমন্ত কৰোঁহক, নহ'লে আমি
গোটেই পৃথিৱীতে সিচঁৰিত হৈ পৰিম।" ৫ আদমৰ বংশধৰসকলে
যি নগৰ আৰু উচ্চ স্তম্ভ নিৰ্ম্মাণ কৰিছিল, তাক চাবলৈ যিহোৱা নামি
আহিল। ৬ যিহোৱাই কৈছিল, "এই লোকসকল এক জাতিৰ লোক
আৰু এইসকলৰ ভাষাও এক! এওঁলোকে এনেকুৱাকৈ কাৰ্যও আৰম্ভ
কৰিলে! এতিয়া তেওঁলোকে ইচ্ছা কৰা কোনো কাৰ্যই তেওঁলোকৰ
বাবে অসাধ্য নহ'ব। ৭ গতিকে, আহাঁ, আমি নামি গৈ তেওঁলোকৰ
ভাষাত বিভ্ৰান্তিৰ সৃষ্টি কৰোঁ যাতে তেওঁলোকে এজনে আন জনৰ কথা
বুজিব নোৱাৰে।" ৮ এইদৰে যিহোৱাই তেওঁলোকক সেই ঠাইৰ পৰা
গোটেই পৃথিৱীতে সিচঁৰিত কৰিলে; তাতে তেওঁলোকে সেই নগৰ
সজাৰ কাম বন্ধ কৰিলে। ৯ এইবাবেই সেই ঠাইৰ নাম বাবিল ৰখা
হ'ল, কিয়নো সেই ঠাইতেই যিহোৱাই গোটেই পৃথিৱীত ভাষাৰ ভেদ
জন্মালে আৰু তাৰ পৰাই যিহোৱাই তেওঁলোকক পৃথিৱীত সিচঁৰিত
কৰিলে। ১০ চেমৰ বংশৰ বিৱৰণ এই। জলপ্লাৱনৰ দুবছৰৰ পাছত
যেতিয়া চেমৰ বয়স এশ বছৰ তেতিয়া তেওঁৰ পুত্ৰ অৰ্ফকচদ জন্মিল।
১১ অৰ্ফকচদৰ জন্মৰ পাছত চেম আৰু পাঁচ শ বছৰ জীয়াই আছিল।
সেই সময়ত তেওঁৰ আৰু পুত্ৰ-কন্যা জন্মিল। ১২ অৰ্ফকচদৰ পঁয়ত্ৰিশ
বছৰ বয়সত তেওঁৰ পুত্ৰ চেলহ জন্মিল; ১৩ চেলহৰ জন্মৰ পাছত
অৰ্ফকচদ আৰু চাৰি শ তিনি বছৰ জীয়াই আছিল। সেই সময়ত তেওঁৰ
আৰু পুত্ৰ-কন্যা জন্মিল। ১৪ চেলহৰ ত্ৰিশ বছৰ বয়সত তেওঁৰ পুত্ৰ
এবৰ জন্মিল; ১৫ এবৰৰ জন্মৰ পাছত চেলহ পুনৰ চাৰি শ তিনি বছৰ
জীয়াই আছিল। সেই সময়ত তেওঁৰ আন আন পুত্ৰ-কন্যা জন্মিল। ১৬
এবৰৰ চৌত্ৰিশ বছৰ বয়সত তেওঁৰ পুত্ৰ পেলগ জন্মিল; ১৭ পেলগৰ
জন্মৰ পাছত এবৰ পুনৰ চাৰি শ ত্ৰিশ বছৰ জীয়াই আছিল। সেই
সময়ত তেওঁৰ আন আন পুত্ৰ-কন্যাসকল জন্মিল। ১৮ পেলগৰ ত্ৰিশ
বছৰ বয়সত তেওঁৰ পুত্ৰ ৰিয়ু জন্মিল। ১৯ ৰিয়ুৰ জন্মৰ পাছত পেলগ

পুনৰ দুশ ন বছৰ জীয়াই আছিল। সেই সময়ত তেওঁৰ আন আন
পুত্ৰ আৰু কন্যাসকল জন্মিল। ২০ ৰিয়ুৰ ত্ৰিশ বছৰ বয়সত তেওঁৰ
পুত্ৰ চৰূগ জন্মিল। ২১ চৰূগৰ জন্মৰ পাছত ৰিয়ু পুনৰ দুশ সাত বছৰ
জীয়াই আছিল। সেই সময়ত তেওঁৰ আন আন পুত্ৰ আৰু কন্যাসকল
জন্মিল। ২২ চৰূগৰ ত্ৰিশ বছৰ বয়সত তেওঁৰ পুত্ৰ নাহোৰ জন্মিল;
২৩ নাহোৰৰ জন্মৰ পাছত চৰূগ আৰু দুশ বছৰ জীয়াই আছিল। সেই
সময়ত তেওঁৰ আৰু পুত্ৰ-কন্যা জন্মিল। ২৪ নাহোৰৰ উনত্ৰিশ বছৰ
বয়সত তেওঁৰ পুত্ৰ তেৰহ জন্মিল; ২৫ তেৰহৰ জন্মৰ পাছত নাহোৰ
পুনৰ এশ উনৈশ বছৰ জীয়াই আছিল। সেই সময়ত তেওঁৰ আন
আন পুত্ৰ আৰু কন্যাসকল জন্মিল। ২৬ তেৰহৰ সত্তৰ বছৰ বয়সৰ
পাছত তেওঁৰ পুত্ৰ অব্ৰাম, নাহোৰ আৰু হাৰণ জন্মিল। ২৭ তেৰহৰ
বংশৰ বিৱৰণ এই। তেৰহৰ সন্তান সকল আছিল অব্ৰাম, নাহোৰ
আৰু হাৰণ; হাৰণৰ সন্তানৰ নাম আছিল লোট। ২৮ পিতৃ তেৰহ
জীয়াই থাকোতেই জন্মস্থান কলদীয়াসকলৰ উৰ নগৰত হাৰণৰ মৃত্যু
হৈছিল। ২৯ অব্ৰাম আৰু নাহোৰ এই দুজনেই বিয়া কৰিছিল। অব্ৰামৰ
ভাৰ্য্যাৰ নাম আছিল চাৰী আৰু নাহোৰৰ ভাৰ্য্যাৰ নাম আছিল মিল্কা;
তেওঁ হাৰণৰ জীয়েক আছিল। সেই হাৰণ মিলকা আৰু যিচকাৰ পিতৃ
আছিল। ৩০ কিন্তু চাৰী বন্ধ্যা আছিল; তেওঁৰ কোনো সন্তান নাছিল।
৩১ তেৰহে তেওঁৰ পুত্ৰ অব্ৰাম, হাৰণৰ পুত্ৰ তেওঁৰ নাতিয়েক লোট,
অব্ৰামৰ ভাৰ্যা তেওঁৰ বোৱাৰীয়েক চাৰীক লগত লৈ কনান দেশলৈ
যাবৰ কাৰণে কলদীয়াসকলৰ উৰ নগৰৰ পৰা ওলাই গ'ল; কিন্তু
তেওঁলোকে হাৰণ নগৰ পৰ্যন্ত গৈ তাতে বসবাস কৰিবলৈ ধৰিলে। ৩২
দুশ পাঁচ বছৰ বয়সত তেৰহৰ হাৰণতে মৃত্যু হ'ল।

**১২** যিহোৱাই অব্ৰামক ক'লে, "তুমি তোমাৰ নিজৰ দেশ, তোমাৰ
আত্মীয়-স্বজন আৰু তোমাৰ পিতৃৰ ঘৰ ত্যাগ কৰি মই যি দেশ তোমাক
দেখুৱাম সেই দেশলৈ যোৱা। ২ মই তোমাৰ পৰা এক মহাজাতি সৃষ্টি
কৰিম আৰু তোমাক আশীৰ্ব্বাদ কৰি তোমাৰ নাম খ্যাতিমন্ত কৰিম;
তাতে তুমি আশীৰ্ব্বাদৰ আকৰ হ'বা। ৩ যিসকলে তোমাক আশীৰ্ব্বাদ
কৰে, মই তেওঁলোকক আশীৰ্ব্বাদ কৰিম আৰু যিসকলে তোমাক

শাও দিয়ে, মই তেওঁলোকক শাও দিম। তোমাৰ দ্বাৰায়েই পৃথিৱীৰ সমুদায় গোষ্ঠীয়ে আশীৰ্ব্বাদ পাব।" ৪ পাছত অব্ৰামে যিহোৱাৰ কথা মতে যাত্ৰা কৰিলে আৰু লোট তেওঁৰ লগত গ'ল। হাৰণ নগৰৰ পৰা ওলাই যোৱাৰ সময়ত অব্ৰামৰ বয়স আছিল পঁয়সত্তৰ বছৰ। ৫ অব্ৰামে তেওঁৰ ভাৰ্য্যা চাৰী আৰু ভতিজা পুতেক লোটক লগত লৈ ওলাই গ'ল। তেওঁৰ সকলো উপাৰ্জিত ধন, সম্পত্তি আৰু তেওঁ হাৰণত পোৱা সকলো দাসবোৰক লৈ কনান দেশ অভিমুখে যাত্ৰা কৰিলে। পাছত তেওঁলোকে কনান দেশ গৈ পালে। ৬ কনান দেশৰ মাজেদি অব্ৰাম চিখিম নগৰলৈ গ'ল আৰু তাৰ পাছত মোৰিৰ ওক গছজোপা পৰ্যন্ত গ'ল। সেইসময়ত কনানীয়াসকলে সেই দেশত বাস কৰিছিল। ৭ পাছত যিহোৱাই অব্ৰামক দৰ্শন দি ক'লে, "এই দেশখনকে মই তোমাৰ বংশক দিম।" তাতে অব্ৰামে তেওঁক দৰ্শন দিয়া যিহোৱাৰ উদ্দেশ্যে সেই ঠাইত এটা যজ্ঞবেদী নিৰ্ম্মাণ কৰিলে। ৮ তাৰ পাছত চিখিমৰ পৰা অব্ৰামে বৈৎএলৰ পূবফালে পাহাৰীয়া এলেকালৈ আগুৱাই গ'ল আৰু তাত তেওঁ বৈৎএলক পশ্চিম আৰু অয়ক পূব কৰি তম্বু তৰিলে; সেই ঠাইতো তেওঁ যিহোৱালৈ এটা যজ্ঞ-বেদী নিৰ্ম্মাণ কৰিলে আৰু যিহোৱাৰ নামেৰে প্ৰাৰ্থনা কৰিলে। ৯ তাৰ পাছত অব্ৰামে পুনৰ যাত্ৰা আৰম্ভ কৰিলে আৰু তেওঁ নেগেভৰ ফালে অগ্ৰসৰ হ'ল। ১০ পাছত কনান দেশত আকাল হ'ল; আকাল অতিশয়ৰূপে বৃদ্ধি হোৱাত অব্ৰামে মিচৰ দেশত প্ৰবাস কৰিবলৈ নামি গ'ল। ১১ তেওঁ মিচৰ দেশত প্ৰৱেশ কৰাৰ ঠিক আগমুহূৰ্তত তেওঁৰ ভাৰ্যা চাৰীক ক'লে, "শুনা, মই জানো তুমি এগৰাকী সুন্দৰী মহিলা। ১২ তোমাক যেতিয়া মিচৰীয়াসকলে দেখিব, তেতিয়া তেওঁলোকে ক'ব, 'এই মহিলাগৰাকী সেই লোকজনৰ ভাৰ্যা।' পাছত তেওঁলোকে মোক বধ কৰি তোমাক জীয়াই ৰাখিব। ১৩ সেয়ে তুমি ক'বা যে, তুমি মোৰ ভনী হয়। তাতে তোমাৰ কাৰণে মোলৈ ভাল হ'ব পাৰে আৰু মোৰ প্ৰাণো ৰক্ষা পৰিব পাৰে।" ১৪ অব্ৰাম যেতিয়া মিচৰ দেশত সোমাল, তেতিয়া মিচৰীয়াসকলে চাৰীক অতি সুন্দৰী দেখিলে। ১৫ ফৰৌণৰ ৰাজপুত্ৰসকলেও চাৰীক দেখা পাই ফৰৌণ ৰজাৰ আগত তেওঁৰ প্ৰশংসা কৰিলে। ফলত চাৰীক ফৰৌণৰ

ৰাজপ্ৰাসাদলৈ লৈ গ'ল। ১৬ চাৰীৰ কাৰণে ফৰৌণে অব্ৰামলৈ ভাল
ব্যৱহাৰ কৰিবলৈ ধৰিলে; তেওঁ অব্ৰামক অনেক মেৰ-ছাগ, গৰু, গাধ,
গাধী, দাস-দাসী আৰু উট দিলে। ১৭ কিন্তু অব্ৰামৰ ভাৰ্যা চাৰীৰ কাৰণে
যিহোৱাই ফৰৌণ আৰু তেওঁৰ পৰিয়ালৰ সকলো লোকৰ মাজত
ভয়ঙ্কৰ মহামাৰী ঘটালে। ১৮ ফৰৌণে অব্ৰামক মাতি ক'লে, "আপুনি
মোৰ লগত এইটো কি কাম কৰিলে? এওঁ যে আপোনাৰ ভাৰ্যা, তাক
মোক কিয় কোৱা নাছিল? ১৯ আপুনি কিয় 'তাই মোৰ ভনী' বুলি
কৈছিল? সেই কাৰণেহে মই তেওঁক বিয়া কৰিবলৈ আনিছিলোঁ।
এতিয়া, এয়া আপোনাৰ ভাৰ্যা; তেওঁক লৈ আপুনি গুছি যাওঁক।" ২০
তাৰ পাছতে অব্ৰামৰ বিষয়ে ফৰৌণে তেওঁৰ লোকসকলক আজ্ঞা দিলে
আৰু তেওঁলোকে অব্ৰামক তেওঁৰ ভাৰ্য্যা আৰু তেওঁৰ সকলো সম্পদেৰে
সৈতে দূৰলৈ পঠিয়াই দিলে।

**১৩** তেতিয়া অব্ৰামে তেওঁৰ ভাৰ্যা আৰু তেওঁলোকৰ সকলো বয়-
বস্তুৰে সৈতে মিচৰ দেশ এৰি নেগেভলৈ গ'ল; সেই সময়ত লোটও
তেওঁলোকৰ লগত আছিল। ২ এই সময়ত অব্ৰাম অতিশয় ধনী আছিল।
তেওঁৰ অনেক পশু, সোণ আৰু ৰূপ আছিল। ৩ পাছত তেওঁ নেগেভৰ
পৰা যাত্ৰা কৰি কৰি বৈৎএল পৰ্যন্ত গ'ল। এই বৈৎএল আৰু অয় নগৰৰ
মধ্যৱৰ্তী স্থানতে পূৰ্বতে তেওঁৰ তম্বু আছিল। ৪ এই ঠাইতে তেওঁ
আগেয়ে নিৰ্ম্মাণ কৰা যজ্ঞবেদীটো আছিল আৰু তাত তেওঁ যিহোৱাৰ
নামেৰে প্ৰাৰ্থনা কৰিছিল। ৫ অব্ৰামৰ যাত্ৰাত একেলগে থকা যি লোট,
তেওঁৰ নিজৰো বহুত মেৰ-ছাগ, পশুৰ জাক, আৰু তম্বু আছিল। ৬
অব্ৰাম আৰু লোট উভয়ৰ কাৰণে একেলগে কাষত থাকি বাস কৰিবলৈ
সেই ঠাই যথেষ্ট নাছিল, কাৰণ তেওঁলোকৰ সা-সম্পদ বহুত বেছি
আছিল। ৭ তাৰ উপৰি অব্ৰাম আৰু লোটৰ পশু-ৰখীয়াৰ মাজতো
বিবাদ আৰম্ভ হৈছিল। সেই সময়ত কনানীয়া আৰু পৰিজ্জীয়াসকলো
সেই দেশত বাস কৰিছিল। ৮ তেতিয়া অব্ৰামে লোটক ক'লে, "চোৱা,
আমি আত্মীয় হওঁ আৰু সেয়ে, মোৰে তোমাৰে মাজত, মোৰ পশু-
ৰখীয়া আৰু তোমাৰ পশু-ৰখীয়াৰ মাজত বিবাদ হোৱাটো উচিত নহব;
৯ গোটেই দেশখনেই জানো তোমাৰ আগত নাই? সেয়ে তুমি মোৰ

পৰা বেলেগ হোৱা উচিত; তুমি বাওঁহাতে গ’লে, মই সোঁহাতে যাম;
নাইবা তুমি সোঁহাতে গ’লে মই বাওঁহাতে যাম।” ১০ তেতিয়া লোটে
চাৰিওফালে চাই দেখিলে যে যৰ্দ্দন নদীৰ পাৰৰ গোটেই সমতল ভূমিত
চোৱৰলৈকে প্ৰচুৰ পানী আছে; সেই ঠাইখিনি যিহোৱাৰ বাগিছাৰ
নিচিনা আৰু মিচৰ দেশৰ নিচিনা; যিহোৱাই চদোম আৰু ঘমোৰা
নগৰ ধ্বংস কৰাৰ পূৰ্বতে এই সমতল ভূমি তেনেকুৱা আছিল। ১১
তেতিয়া লোটে যৰ্দ্দন নদীৰ গোটেই সমভূমিলৈ নিজৰ কাৰণে বাচি
লৈ পূব ফাললৈ যাত্ৰা কৰিলে; এইদৰে তেওঁলোক এজন আন জনৰ
কাষৰ পৰা বেলেগ হৈ গ’ল। ১২ অব্ৰামে কনান দেশত আৰু লোটে
সেই সমভূমিৰ নগৰবোৰত বাস কৰিবলৈ ধৰিলে। লোটে চদোমৰ
ওচৰত তম্বু তৰিলে। ১৩ চদোমত বাস কৰা অধিবাসীসকল অতিশয়
দুষ্ট আছিল আৰু যিহোৱাৰ বিৰুদ্ধে তেওঁলোকে ভীষণ পাপ কৰিছিল।
১৪ অব্ৰামৰ পৰা লোট বেলেগ হৈ যোৱাৰ পাছত যিহোৱাই অব্ৰামক
ক’লে, “তুমি যি ঠাইত থিয় হৈ আছা, তাৰ পৰা উত্তৰ-দক্ষিণ আৰু পূব-
পশ্চিমলৈ এবাৰ চোৱা; ১৫ যি সকলো ঠাই তুমি দেখিছা, তাক মই
তোমাক আৰু তোমাৰ বংশক চিৰকালৰ কাৰণে দিম। ১৬ মই তোমাৰ
বংশৰ লোকসকলক পৃথিবীৰ ধূলিৰ নিচিনা অসংখ্য কৰিম; কোনোৱে
যদি পৃথিবীৰ ধূলি গণিব পাৰে, তেন্তে তোমাৰ বংশকো গণিব পাৰিব।
১৭ উঠা, এই ভূমিৰ দীঘে পথালিয়ে ঘূৰি ফুৰা; কিয়নো মই তোমাক
এই দেশখনকে দিম।” ১৮ তেতিয়া অব্ৰামে তেওঁৰ তম্বু তুলি ল’লে আৰু
হিব্ৰোণ এলেকালৈ আহি মম্ৰিৰ ওক গছবোৰৰ ওচৰত নিবাস কৰিলে।
সেই ঠাইত তেওঁ যিহোৱাৰ উদ্দেশে এটা যজ্ঞ-বেদী নিৰ্ম্মাণ কৰিলে।

**১৪** যি সময়ত চিনাৰ দেশৰ ৰজা অম্ৰাফল আছিল, তেতিয়া অৰিয়োক
আছিল ইল্লাচৰৰ ৰজা, এলমৰ ৰজা আছিল কদৰ্লায়োমৰ আৰু গোয়ীমৰ
ৰজা তিদিয়ল আছিল, ২ সেইসময়ত এই কেইজন ৰজাই মিলি চদোমৰ
বিৰা ৰজা, ঘমোৰাৰ বিৰ্চা ৰজা, অদ্মাৰ চিনাব ৰজা, চবোয়ীমৰ চিমেবৰ
ৰজা আৰু বিলা অৰ্থাৎ চোৱৰৰ ৰজাসকলৰ বিৰুদ্ধে যুদ্ধ কৰিলে।
৩ পাছৰ এই পাঁচজন ৰজা চিদ্দিম উপত্যকাত একত্ৰিত হ’ল। এই
ঠাইখিনিক লোণসমুদ্ৰ বোলা হ’য়। ৪ এই ৰজাসকল বাৰ বছৰলৈকে

ৰজা কদৰ্লায়োমৰ অধীনত আছিল, কিন্তু তেৰ বছৰত তেওঁলোকে বিদ্ৰোহ কৰিলে। ৫ তাৰ পাছত চৈধ্য বছৰত ৰজা কদৰ্লায়োমৰ আৰু তেওঁৰ সংগী ৰজাসকলে গৈ ৰফায়ীয়াসকলক অস্তৰোৎকৰ্ণয়িমত, জজীয়াসকলক হামত, এমীয়াসকলক চাবি-কিৰিয়াথয়িমত আহি আক্ৰমণ কৰিলে আৰু ৬ হোৰীয়াসকলক এল-পাৰণলৈকে তেওঁলোকৰ পাহাৰীয়া অঞ্চল চেয়ীত পৰাজয় কৰিলে। এল-পাৰণ মৰু-প্ৰান্তৰৰ কাষত অৱস্থিত। ৭ তাৰ পাছত এই ৰজাসকল ঘূৰি গৈ অয়িন-মিস্পাট অৰ্থাৎ কাদেচলৈ গ'ল। তেওঁলোকে অমালেকীয়াসকলৰ গোটেই দেশ জয় কৰি ল'লে আৰু হচচোন-তামৰত থকা ইমোৰীয়াসকলকো পৰাজয় কৰিলে। ৮ এই সকলো ঘটনাৰ পাছত চদোমৰ ৰজা, ঘমোৰাৰ ৰজা, অদ্মাৰ ৰজা, চবোয়ীমৰ ৰজা আৰু বিলাৰ ৰজা অৰ্থাৎ চোৱৰৰ ৰজা ওলাই গৈ যুদ্ধৰ কাৰণে যুগুত হ'ল। ৯ তেওঁলোকে এলমৰ ৰজা কদৰ্লায়োমৰ, গোয়ীমৰ ৰজা তিদিয়ল, চিনাৰ দেশৰ ৰজা অম্ৰাফল, ইল্লাচৰৰ ৰজা অৰিয়োকৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ গ'ল। এই যুদ্ধ পাঁচ জন ৰজাৰ বিৰুদ্ধে চাৰিজন ৰজাৰ মাজত হৈছিল। ১০ চিদ্দিম উপত্যকাত আলকতৰাৰে পূৰ্ণ বহুতো গাত আছিল; যেতিয়া চদোম আৰু ঘমোৰাৰ ৰজা পলাই গৈছিল, তেতিয়া তেওঁলোক সেই গাতত পৰিল; আন অৱশিষ্ট লোকসকল পাহাৰলৈ পলাই গ'ল। ১১ শত্ৰুপক্ষই চদোম আৰু ঘমোৰাৰ সকলো ধন-সম্পত্তি আৰু বয়-বস্তু লুট কৰি লৈ গুচি গ'ল। ১২ তেওঁলোক যাওঁতে সকলো সম্পদেৰে সৈতে চদোমত বাস কৰা অব্ৰামৰ ভতিজা পুতেক লোটকো বন্দী কৰি লৈ গ'ল। ১৩ তেতিয়া পলাই আহি ৰক্ষা পোৱা এজন পলাতকে ইব্ৰীয়া অব্ৰামক সেই খবৰ দিলে; সেই সময়ত অব্ৰাম ইষ্কোল আৰু আনেৰৰ ভায়েক ইমোৰীয়া মম্ৰিৰ ওক গছবোৰৰ ওচৰত বাস কৰিছিল আৰু তেওঁলোক অব্ৰামৰ মিত্ৰ আছিল। ১৪ অব্ৰামে যেতিয়া শুনিলে যে তেওঁৰ আত্মীয়ক বন্দী কৰি লৈ গৈছে, তেতিয়া তেওঁ প্ৰশিক্ষণ প্ৰাপ্ত তেওঁৰ গৃহতেই জন্ম হোৱা তিনি শ ওঠৰ জন দাসক লৈ শত্ৰুবোৰৰ পাছে পাছে দানলৈকে খেদি গ'ল। ১৫ পাছত ৰাতি তেওঁ নিজৰ লোকসকলক কিছুমান দলত বিভক্ত কৰি শত্ৰুবোৰক আঘাত কৰিলে আৰু দম্মেচকৰ উত্তৰে অৱস্থিত

হোবা পৰ্যন্ত তেওঁলোকক খেদি পঠিয়ালে। ১৬ তেওঁ সকলোবোৰ
সম্পত্তি ঘূৰাই আনিলে; তেওঁৰ ভতিজা পুতেক লোটক তেওঁৰ বয়-
বস্তুৰে সৈতে উদ্ধাৰ কৰিলে আৰু পুৰুষ-মহিলা সকলোকে ওভটাই
আনিলে। ১৭ কদৰ্লায়োমৰ আৰু তেওঁৰ সংগী ৰজাসকলক অব্ৰামে
যেতিয়া হৰুৱাই উভতি আহিছিল, তেতিয়া চদোমৰ ৰজাই তেওঁৰ লগত
সাক্ষাত হবলৈ চাবি উপত্যকালৈ অৰ্থাৎ ৰজাৰ উপত্যকালৈ ওলাই
গ'ল। ১৮ চালেমৰ ৰজা মল্কীচেদকে পিঠা আৰু দ্ৰাক্ষাৰস আনিলে;
মল্কীচেদক সৰ্ব্বোপৰি ঈশ্বৰৰ পুৰোহিত আছিল। ১৯ তেওঁ অব্ৰামক
আশীৰ্ব্বাদ কৰি ক'লে, "স্বৰ্গ আৰু পৃথিৱীৰ সৃষ্টিকৰ্তা সৰ্ব্বোপৰি ঈশ্বৰৰ
দ্বাৰা অব্ৰাম আশীৰ্ব্বাদপ্ৰাপ্ত হওক; ২০ যিজনে আপোনাৰ শত্ৰুবোৰক
আপোনাৰ হাতত সমৰ্পণ কৰিছে, সেই সৰ্ব্বোপৰি ঈশ্বৰৰ ধন্য হওক।"
তেতিয়া অব্ৰামে সকলো বস্তুৰে দহ ভাগৰ এভাগ তেওঁক দিলে। ২১
পাছত চদোমৰ ৰজাই অব্ৰামক ক'লে, "আপুনি ধন-সম্পদবোৰ ৰাখি
লোকসকলক মোক দিয়ক।" ২২ অব্ৰামে চদোমৰ ৰজাক ক'লে, "মই
স্বৰ্গ আৰু পৃথিৱীৰ সৃষ্টিকৰ্তা সৰ্ব্বোপৰি ঈশ্বৰ যিহোৱাৰ নামেৰে হাত
দাঙি শপত খাই কৈছোঁ যে, ২৩ আপোনাৰ একো বস্তুৰেই, এনে
কি এগছি সূতা কি জোতাৰ ফিটাও নলওঁ; যাতে আপুনি কেতিয়াও
ক'ব নোৱাৰে 'মইহে অব্ৰামক ধনৱান কৰিলোঁ' বুলি। ২৪ কেৱল
মোৰ যুবকসকলে ইতিমধ্যে যি খালে, তাৰ বাহিৰে মই ইয়াৰ পৰা
একো নিনিও; কিন্তু আনেৰ, ইষ্কোল আৰু মম্ৰি মোৰ লগত গৈছিল;
তেওঁলোকক নিজৰ ভাগ ল'ব দিয়ক।"

**১৫** এইবোৰ ঘটনাৰ পাছত, দৰ্শনযোগে অব্ৰামলৈ যিহোৱাৰ বাক্য
আহিল, তেওঁ ক'লে, "হে অব্ৰাম, ভয় নকৰিবা; ময়েই তোমাৰ ঢাল
আৰু মহা পুৰস্কাৰস্বৰূপ।" ২ অব্ৰামে ক'লে, "হে প্ৰভু যিহোৱা; আপুনি
মোক কি দিব? মই যে নিঃসন্তান। দম্মেচকীয়া ইলীয়েজৰহে মোৰ
ঘৰৰ উত্তৰাধিকাৰী হৈছে।" ৩ অব্ৰামে ক'লে, "আপুনি মোক সন্তান
নিদিলে আৰু সেয়ে মোৰ ঘৰৰ এজন দাসেই মোৰ উত্তৰাধিকাৰী হ'ব।"
৪ তেতিয়া যিহোৱাৰ বাক্য তেওঁলৈ আহিল; তেওঁ ক'লে, "নহয়, এই
মানুহ তোমাৰ উত্তৰাধিকাৰী নহ'ব। কিন্তু তোমাৰ ঔৰসত জন্মা জনহে

তোমাৰ উত্তৰাধিকাৰী হ’ব।” ৫ তেতিয়া যিহোৱাই অব্ৰামক বাহিৰলৈ
নি ক’লে, “তুমি আকাশৰ ফালে চোৱা আৰু যদি পাৰা তৰাবোৰ গণনা
কৰা।” তেওঁ আকৌ অব্ৰামক ক’লে, “এইদৰে তোমাৰ বংশও হ’ব।”
৬ তেতিয়া অব্ৰামে যিহোৱাত বিশ্বাস কৰিলে আৰু যিহোৱাই অব্ৰামৰ
বিশ্বাসক তেওঁৰ পক্ষে ধাৰ্মিকতা বুলি গণ্য কৰিলে। ৭ পাছত যিহোৱাই
তেওঁক ক’লে, “ময়েই সেই যিহোৱা! এই দেশৰ অধিকাৰী হবৰ কাৰণে
ময়েই তোমাক কলদীয়াসকলৰ উৰ নগৰৰ পৰা বাহিৰ কৰি আনিলো।”
৮ তেতিয়া তেওঁ ক’লে, “হে প্ৰভু যিহোৱা, মই কেনেকৈ জানিম যে
এই দেশখন মোৰ অধিকাৰত আহিব?” ৯ তেতিয়া যিহোৱাই তেওঁক
ক’লে, “তুমি মোৰ ওচৰলৈ এজনী তিনি বছৰীয়া চেঁউৰী গৰু, এজনী
তিনি বছৰীয়া মাইকী ছাগলী, এটা তিনিবছৰীয়া মতা মেৰ-ছাগ
পোৱালি, এটা কপৌ আৰু এটা পাৰ পোৱালি আনা।” ১০ অব্ৰামে সেই
সকলোকে আনি সেইবোৰক দুফালকৈ কাটি প্ৰতিডোখৰ টুকুৰা তাৰ
অন্য টুকুৰাৰ বিপৰীতে সজাই ৰাখিলে; কিন্তু চৰাইবোৰ হ’লে তেওঁ
দুফাল নকৰিলে। ১১ পাছত চিকাৰী চৰাইবোৰ নামি আহি সেই পশুৰ
মাংসখণ্ডৰ ওপৰত পৰিল, কিন্তু অব্ৰামে সেইবোৰক খেদাই দিলে। ১২
পাছত যেতিয়া সূৰ্য মাৰ গৈছিল, তেতিয়া অব্ৰামৰ ঘোৰ টোপনি আহিল;
হঠাতে এক ঘন আৰু ভয়ংকৰ অন্ধকাৰ তেওঁৰ ওপৰত নামি আহিল।
১৩ তেতিয়া তেওঁ অব্ৰামক ক’লে, “তুমি এই কথা নিশ্চিতভাৱে জনা
উচিত যে তোমাৰ বংশৰ লোকসকল যি দেশত বাস কৰিব, সেই
দেশ তেওঁলোকৰ নিজৰ নহয়। সেই ঠাইত তেওঁলোকে প্ৰবাসী হৈ
দাস হ’ব আৰু চাৰিশ বছৰ কাল তেওঁলোকে উৎপীড়ন ভোগ কৰিব।
১৪ তেওঁলোকে যি জাতিৰ বন্দীকাম কৰিব, মই সেই জাতিৰ সোধ-
বিচাৰ কৰিম আৰু পাছত তেওঁলোকে অধিক সম্পত্তিৰে সৈতে বাহিৰ
হৈ আহিব। ১৫ কিন্তু তুমি শান্তিৰে তোমাৰ পূৰ্বপুৰুষসকলৰ ওচৰলৈ
যাবা; অতি বৃদ্ধ অৱস্থাত তোমাক মৈদাম দিয়া হ’ব। ১৬ তোমাৰ চতুৰ্থ
প্ৰজন্মৰ লোকসকল ইয়ালৈ পুনৰ উলটি আহিব; কিয়নো এতিয়ালৈকে
মোৰ ওচৰত ইমোৰীয়াসকলৰ অপৰাধ শাস্তি পোৱাৰ দৰে হোৱা
নাই।” ১৭ বেলি মাৰ গৈ যেতিয়া আন্ধাৰ হ’ল তেতিয়া জুইৰ এক

ধোঁৱাময় চুলা আৰু এক জ্বলন্ত মশাল দেখা গ'ল। সেইবোৰ সেই
মঙহৰ টুকুৰাবোৰৰ মাজেদি পাৰ হৈ গ'ল। ১৮ সেইদিনা যিহোৱাই
অব্ৰামে সৈতে এটি এইবুলি কৈ এটা নিয়ম স্থিৰ কৰিলে, "মিচৰৰ নদীৰ
পৰা মহানদী ইউফ্ৰেটিচ পৰ্যন্ত গোটেইখন দেশ মই তোমাৰ বংশক
দিলোঁ। ১৯ তাৰ মাজত থাকিব কেনীয়া, কনিজ্জীয়া, কদমোনীয়া, ২০
হিত্তীয়া, পৰিজ্জীয়া, ৰফায়ীয়া, ২১ ইমোৰীয়া, কনানীয়া, গিৰ্গাচীয়া,
আৰু যিবুচীয়া।"

**১৬** অব্ৰামৰ ভাৰ্যা চাৰী তেতিয়ালৈকে নিঃসন্তান আছিল; হাগাৰ
নামেৰে চাৰীৰ এগৰাকী মিচৰীয়া দাসী আছিল। ২ এদিন চাৰীয়ে
অব্ৰামক ক'লে, "চোৱা, যিহোৱাই মোক নিঃসন্তান কৰি ৰাখিছে।
সেই কাৰণে আপুনি মোৰ দাসীৰ শয্যাৰ সংগী হওঁক, কিজানি মই
তাইৰ পৰা সন্তান লাভ কৰিম।" তেতিয়া অব্ৰাম চাৰীৰ কথাত মান্তি
হ'ল। ৩ কনান দেশত অব্ৰামে দহ বছৰ কটোৱাৰ পাছত ভাৰ্যা চাৰীয়ে
তেওঁৰ মিচৰীয়া দাসী হাগাৰক আনি নিজৰ স্বামী অব্ৰামৰ সংগী কৰি
দিলে। ৪ অব্ৰামে হাগাৰৰ সৈতে একেলগ হোৱাত তাই গৰ্ভৱতী হ'ল।
হাগাৰে যেতিয়া বুজি পালে যে তাই গৰ্ভৱতী হৈছে, তেতিয়া তাই
নিজৰ গৰাকীয়ণীক তুচ্ছ জ্ঞান কৰিবলৈ ধৰিলে। ৫ সেয়ে চাৰীয়ে
অব্ৰামক ক'লে, "মোৰ প্ৰতি কৰা তাইৰ এই অন্যায়ৰ কাৰণে আপুনিয়ে
দায়ী; মোৰ এই দাসীক ময়েই আপোনাৰ বাহুত দিলোঁ; কিন্তু এতিয়া
তাই নিজকে গৰ্ভৱতী হোৱা জানি মোকেই হেয়জ্ঞান কৰিছে; এতিয়া
যিহোৱায়ে আপোনাৰ আৰু মোৰ মাজত বিচাৰ কৰক।" ৬ অব্ৰামে
চাৰীক ক'লে, "চোৱা, তোমাৰ দাসী তোমাৰ অধীনতে আছে; গতিকে
যিহকে ভাল বুলি ভাবা, তুমি তাইৰ প্ৰতি তাকে কৰা।" তেতিয়া চাৰীয়ে
হাগাৰৰ প্ৰতি এনে কঠোৰ ব্যৱহাৰ কৰিবলৈ ধৰিলে যে তাই তেওঁৰ
ওচৰৰ পৰা পলাই গ'ল। ৭ পাছত মৰুপ্ৰান্তৰৰ মাজত এটা জলৰ
ভুমুকৰ কাষত যিহোৱাৰ দূতে হাগাৰক দেখা পালে। এই ভুমুকতো
চূৰলৈ যোৱাৰ পথত আছিল। ৮ যিহোৱাৰ দূতে ক'লে, "হেৰা চাৰীৰ
দাসী হাগাৰ, তুমি ক'ৰ পৰা আহিছা আৰু ক'লৈ গৈ আছা?" তাই
ক'লে, "মই মোৰ গৰাকীয়ণী চাৰীৰ ওচৰৰ পৰা পলাই আহিছোঁ।" ৯

তেতিয়া যিহোৱাৰ দূতে ক'লে, "তুমি তোমাৰ গৰাকীয়ণীৰ ওচৰলৈ
উলটি যোৱা আৰু তেওঁৰ অধীনত থাকি বাধ্য হোৱা।" ১০ যিহোৱাৰ
দূতে পুনৰ তাইক ক'লে, "মই তোমাৰ বংশৰ লোকৰ সংখ্যা ইমান
বৃদ্ধি কৰিম যে তেওঁলোকৰ সংখ্যা গণিবই নোৱাৰা হ'ব।" ১১ পুনৰ
যিহোৱাৰ দূতে তাইক ক'লে, "চোৱা, তুমি গৰ্ভৱতী। তোমাৰ এটি পুত্ৰ
জন্ম হ'ব; তুমি সেই ল'ৰাৰ নাম ইশ্মায়েল ৰাখিবা; কিয়নো যিহোৱাই
তোমাৰ দূখৰ কথা শুনিলে। ১২ মানুহ হলেও সেই ল'ৰা বনৰীয়া
গাধৰ দৰে হ'ব। সি তাৰ সকলো ভাইৰ বিৰুদ্ধে শত্ৰুভাৱ কৰিব আৰু
সকলো মানুহেও তাক শত্ৰু জ্ঞান কৰিব; সি নিজৰ ভাইসকলৰ দেশৰ
কাষত বাস কৰিব।" ১৩ এই কথা শুনি হাগাৰে তেওঁৰে সৈতে কথা
কোৱা যিহোৱাক এই নাম দিলে, আল-ৰোৱী কিয়নো তাই ক'লে, "মই
তেনেহলে সচাঁকৈয়ে যি জনাই মোক চাই আছে, সেইজনা যিহোৱাক
দেখিলোঁ নেকি!" ১৪ সেই নাদৰ নাম বেৰ-লহয়-ৰোৱী হ'ল; সেই নাদ
কাদেচ আৰু বাৰদৰ মাজত অৱস্থিত ১৫ পাছত হাগাৰে অব্ৰামলৈ এটি
পুত্ৰ প্ৰসৱ কৰিলে আৰু অব্ৰামে হাগাৰৰ পৰা জন্মা সেই পুত্ৰৰ নাম
ইশ্মায়েল হ'ল। ১৬ অব্ৰামৰ ছয়াশী বছৰ বয়সত হাগাৰে অব্ৰামলৈ
ইশ্মায়েলক প্ৰসৱ কৰিলে।

১৭ অব্ৰামৰ বয়স যেতিয়া নিৰানব্বই বছৰ হ'ল, তেতিয়া যিহোৱাই
অব্ৰামক দৰ্শন দি ক'লে, "মই সৰ্ব্বশক্তিমান ঈশ্বৰ; মোৰ লগত চলাচল
কৰা আৰু সিদ্ধ হোৱা। ২ মোৰ আৰু তোমাৰ মাজত মই মোৰ বিধি
স্থাপন কৰিম আৰু মই তোমাৰ বংশক অতিশয় ৰূপে বৃদ্ধি কৰিম।" ৩
তেতিয়া অব্ৰামে উবুৰি খাই মাটিত মুখ থৈ প্ৰণিপাত কৰিলে আৰু ঈশ্বৰে
তেওঁৰে সৈতে কথা ক'বলৈ ধৰিলে। ৪ তেওঁ ক'লে, "শুনা, তোমাৰ
সৈতে স্থাপন কৰা মোৰ বিধি এই: তুমি এক বাহুল্য জাতিৰ আদিপিতৃ
হ'বা। ৫ তোমাক অব্ৰাম বুলি পুনৰ কোৱা নহ'ব, কিন্তু এতিয়াৰ পৰা
তোমাৰ নাম অব্ৰাহামহে হ'ব; কিয়নো মই তোমাক আদিপিতৃ হ'বলৈ
নিৰূপণ কৰিলোঁ। ৬ মই তোমাৰ বংশ অতিশয়ৰূপে বৃদ্ধি কৰিম।
তোমাৰ পৰা মই অনেক নতুন জাতিৰ সৃষ্টি কৰিম আৰু তোমাৰ পৰা
ৰজাসকলৰো জন্ম হ'ব। ৭ এই বিধি মোৰ, তোমাৰ আৰু তোমাৰ

ভাবী-বংশৰ মাজত পুৰুষানুক্ৰমে স্থাপন কৰিলোঁ; ই এক চিৰকালৰ
বিধি হ'ব। মই তোমাৰ আৰু তোমাৰ ভাবী-বংশৰ লোকসকলৰ ঈশ্বৰ
হ'বলৈ মোৰ বিধি স্থাপন কৰিলোঁ। ৮ যি কনান দেশত তুমি প্ৰবাসী হৈ
বাস কৰিছা, মই তোমাক আৰু তোমাৰ ভাবী-বংশক এই সমুদায় দেশ
সদাকালৰ অধিকাৰৰ অৰ্থে দিম আৰু মই তেওঁলোকৰ ঈশ্বৰ হ'ম।" ৯
পুনৰ ঈশ্বৰে অব্ৰাহামক ক'লে, "তোমালোকৰ বাবে মোৰ এই বিধি
পালন কৰিব লাগিব; তুমি আৰু তোমাৰ ভাবী-বংশই পুৰুষানুক্ৰেমে
তাক পালন কৰিব লাগে। ১০ তোমালোকে মানিবলগীয়া এই বিধি
হৈছে - তোমালোকৰ মাজৰ প্ৰত্যেক পুৰুষৰ চুন্নৎ হ'ব লাগিব; এই
বিধি তোমাৰ আৰু তোমাৰ বংশৰ লোকসকলে মানি চলিব লাগিব।
১১ তোমালোকে নিজ নিজ লিঙ্গাগ্ৰ-চৰ্ম্ম ছেদন কৰিবা আৰু সেয়ে
মোৰে আৰু তোমালোকৰ মাজত স্থাপিত হোৱা নিয়মৰ চিন হ'ব। ১২
বংশানুক্ৰমে তোমালোকৰ প্ৰত্যেকজন পুত্ৰ-সন্তানৰ জন্মৰ আঠ দিনৰ
দিনা এই চুন্নৎ হ'ব লাগিব; বংশৰ কোনো নহলেওঁ তোমালোকৰ ঘৰত
জন্ম হোৱা আৰু বিদেশীৰ পৰা কিনি লোৱা দাসবোৰৰো চুন্নৎ হ'ব
লাগিব। ১৩ তোমাৰ ঘৰত জন্ম হোৱা পুৰুষ আৰু তুমি কিনি লোৱা
সকলো পুৰুষৰে চুন্নৎ হ'বই লাগিব; এইদৰে তোমালোকৰ শৰীৰত
মোৰ বিধি চিৰকালৰ এক নিয়ম হ'ব। ১৪ যি জন পুৰুষৰ লিঙ্গগ্ৰ-চৰ্ম্ম
ছেদন কৰা নহয়, এনে চুন্নৎ নোহোৱা পুৰুষক নিজ জাতিৰ মাজৰ
পৰা বহিস্কাৰ কৰা হ'ব; কাৰণ তেওঁ মোৰ বিধি অমান্য কৰিলে।"
১৫ ঈশ্বৰে অব্ৰাহামক ক'লে, "তোমাৰ ভাৰ্যা চাৰীক আৰু চাৰী বুলি
নামাতিবা; কিন্তু তেওঁৰ নাম চাৰা [ৰাণী] হ'ব। ১৬ মই তেওঁক
আশীৰ্ব্বাদ কৰিম আৰু তেওঁৰ পৰা তোমাক এটি পুত্ৰও দিম; মই
তেওঁক আশীৰ্ব্বাদ কৰিম যাতে তেওঁ অনেক জাতি আৰু তেওঁলোকৰ
ৰজাসকলৰ আদিমাতৃ হ'ব।" ১৭ এই কথা শুনি অব্ৰাহামে মাটিত
উবুৰি হৈ পৰিল আৰু হাঁহি মাৰি মনতে ক'লে, "এশ বছৰীয়া বৃদ্ধই
সন্তান পাবনে আৰু নৰৈ বছৰীয়া চাৰাই জানো সন্তান প্ৰসৱ কৰিব
পাৰে?" ১৮ অব্ৰাহামে ঈশ্বৰক ক'লে, "ইশ্মায়েলেই যেন আপোনাৰ
দৃষ্টিত জীয়াই থাকে, মোলৈ এয়ে সন্তোষজনক।" ১৯ ঈশ্বৰে ক'লে,

“নহয়, তোমাৰ ভাৰ্যা চাৰাই তোমালৈ এটি পুত্ৰ প্ৰসৱ কৰিব আৰু তুমি
তেওঁৰ নাম ইচহাক [হাঁহি] ৰাখিবা; মই চিৰকালৰ এক বিধিৰূপে
ইচহাক আৰু তেওঁৰ ভাৱী-বংশৰ লোকসকলৰ সৈতে মোৰ বিধি স্থাপন
কৰিম। ২০ ইশ্মায়েলৰ বিষয়ে হ’লে মই তোমাৰ কথা শুনিলোঁ; চোৱা,
মই তেওঁক আশীৰ্ব্বাদ কৰিলোঁ; তেওঁকো মই বহুবংশ কৰিম আৰু
তেওঁৰ সন্তান-সন্ততি অতিশয়ৰূপে বৃদ্ধি কৰিম; তেৰোঁ বাৰজন গোষ্ঠী-
নেতাৰ পিতৃ হ’ব আৰু তেওঁৰ পৰা মই এক মহাজাতি উৎপন্ন কৰিম।
২১ কিন্তু মোৰ নিয়মটি হ’লে অহা বছৰ এই সময়তে চাৰাই তোমালৈ
যি সন্তান প্ৰসৱ কৰিব, সেই ইচহাকৰ সৈতেহে স্থাপন কৰিম।” ২২
অব্ৰাহামৰ লগত কথা কৈ শেষ কৰাৰ পাছত ঈশ্বৰ তেওঁৰ ওচৰৰ পৰা
ওপৰলৈ গুছি গ’ল। ২৩ তাৰ পাছত ঈশ্বৰৰ কথা অনুসাৰে অব্ৰাহামে
তেওঁৰ পুতেক ইশ্মায়েলক, তেওঁৰ ঘৰত জন্ম হোৱা আৰু কিনি লোৱা
দাসবোৰক অৰ্থাৎ অব্ৰাহামৰ ঘৰত যিমান পুৰুষ আছিল, তেওঁ সেই
দিনাই সকলোৰে লিঙ্গাগ্ৰ-চৰ্ম্ম ছেদন কৰিলে। ২৪ অব্ৰাহামে যেতিয়া
নিজৰ লিঙ্গাগ্ৰ-চৰ্ম্ম ছেদন কৰিছিল, সেই সময়ত তেওঁৰ বয়স আছিল
নিৰানব্বৈ বছৰ আৰু ২৫ তেওঁৰ পুত্ৰ ইশ্মায়েলৰ বয়স আছিল তেৰ
বছৰ। ২৬ সেই একে দিনাই অব্ৰাহাম আৰু তেওঁৰ পুত্ৰ ইশ্মায়েল
দুয়োৰে চুন্নৎ কৰা হ’ল। ২৭ তেওঁৰ লগতে ঘৰৰ আন সকলো পুৰুষৰ
অৰ্থাৎ তেওঁৰ ঘৰত জন্ম হোৱা আৰু বিদেশীৰ পৰা যি সকলক কিনি
লোৱা হৈছিল, সেই সকলো পুৰুষৰে চুন্নৎ কৰা হ’ল।

**১৮** অব্ৰাহামে যেতিয়া মম্ৰিৰ ওক গছবোৰৰ ওচৰত বাস কৰিছিল,
তেতিয়া যিহোৱাই তেওঁক এদিন দৰ্শন দিলে। তেওঁ দুপৰীয়াৰ ৰদত
নিজৰ তম্বুৰ দুৱাৰ মুখত বহি আছিল; ২ তেনে সময়তে তেওঁ মূৰ
তুলি চাই দেখিলে, কিছু দূৰৈত তেওঁৰ সন্মুখত তিনি জন লোক থিয়
হৈ আছে; তেওঁলোকক দেখামাত্ৰকে লগ ধৰিবলৈ তেওঁ তম্বুৰ দুৱাৰ
মুখৰ পৰা লৰি গ’ল আৰু মাটিত উবুৰি হৈ প্ৰণিপাত কৰিলে। ৩ তেওঁ
ক’লে, “হে প্ৰভু, যদি আপোনালোকৰ দৃষ্টিত মই অনুগ্ৰহ প্ৰাপ্ত হৈছোঁ,
তেন্তে আপোনালোকৰ এই দাসক এৰি পাৰ হৈ আগবাঢ়ি নাযাব।
৪ মই অলপ পানী আনি দিওঁ, আপোনালোকে ভৰি ধুই লওঁক আৰু

গছজোপাৰ তলতে বিশ্ৰাম লওঁক। ৫ আপোনালোক যেতিয়া এই
দাসৰ গুৰিলৈ আহিছে, তেন্তে মই অলপমান আহাৰো লৈ আনোগৈ;
তাৰে আপোনালোকে যেন নিজৰ প্ৰাণ জুৰাব পাৰে আৰু পুনৰ যাত্ৰা
কৰিব পাৰিব।" তেতিয়া তেওঁলোকে ক'লে, "ঠিক আছে, তুমি কোৱাৰ
দৰেই কৰা।" ৬ অব্ৰাহামে তেতিয়া বেগাই তম্বুৰ ভিতৰলৈ গৈ চাৰাক
ক'লে, "তুমি সোনকালে তিনি চেয়া ভাল ময়দা মাখি লৈ কেইখনমান
পিঠা যুগুত কৰি দিয়া।" ৭ তাৰ পাছত অব্ৰাহামে লৰি গৈ পশুৰ
জাকৰ পৰা ভাল চাই এটা সৰু দামুৰি আনি তেওঁৰ দাসক দিলে; সেই
দাসেও ততাতৈয়াকৈ তাক ৰান্ধিলে। ৮ পাছত অব্ৰাহামে দৈ, গাখীৰ
আৰু দামুৰিৰ ৰন্ধা মঙহ লৈ তেওঁলোকৰ সন্মুখত থলে; তেওঁলোকে
যেতিয়া ভোজন কৰি আছিল, তেতিয়া অব্ৰাহাম তেওঁলোকৰ কাষতে
থকা গছজোপাৰ তলত থিয় হৈ আছিল। ৯ তেওঁলোকে অব্ৰাহামক
সুধিলে, "তোমাৰ ভাৰ্যা চাৰা ক'ত আছে?" তেওঁ ক'লে, "সৌ তাত,
তম্বুৰ ভিতৰত আছে।" ১০ তেতিয়া তেওঁলোকৰ মাজৰ এজনে ক'লে,
"বসন্তকালত মই নিশ্চয়ে তোমাৰ ওচৰলৈ আকৌ উলটি আহিম;
তেতিয়া তোমাৰ ভাৰ্যা চাৰাৰ এটি পুত্ৰ হ'ব।" চাৰাই তেওঁৰ পাছফালে
তম্বুৰ দুৱাৰমুখত থাকি সকলো কথা শুনি আছিল। ১১ অব্ৰাহাম
আৰু চাৰা সেই সময়ত যথেষ্ট বৃদ্ধ-বৃদ্ধা; বয়সে ভাঁটি দিছিল আৰু
চাৰাৰ পক্ষে সন্তান লাভৰ বয়সো নাছিল। ১২ সেয়ে চাৰাই মনৰ
ভিতৰতে হাঁহি নিজকে ক'লে, "মোৰ স্বামী এতিয়া বুঢ়া হ'ল আৰু
ময়ো ক্ষয় পাই আহিলোঁ, মোৰ এনে আনন্দ হ'ব নে?" ১৩ যিহোৱাই
তেতিয়া অব্ৰাহামক ক'লে, "চাৰাই কেলেই এই কথা কৈ হাঁহিলে যে
'মই বুঢ়ীয়ে জানো সচাঁকৈয়ে এটি পুত্ৰ প্ৰসৱ কৰিম?' ১৪ যিহোৱাৰ
ওচৰত দুঃসাধ্য বুলি জানো কিবা আছে? বসন্তকালত, মই নিৰূপণ
কৰা সময়ত মই তোমাৰ ওচৰলৈ আকৌ আহিম। অহা বছৰ প্ৰায়
এই সময়তে চাৰাৰ এটি পুত্ৰ হ'ব।" ১৫ চাৰাই তেতিয়া ভয় খাই
আসৈ মাতি ক'লে, "নাই, মই হ'লে হঁহা নাছিলো"; কিন্তু যিহোৱাই
ক'লে, "নহয়, তুমি হাঁহিছিলা।" ১৬ তাৰ পাছত সেই লোককেইজন
উঠিল আৰু তললৈ চদোমৰ ফালে চালে। অব্ৰাহামে তেওঁলোকক

আগবঢ়াই থবলৈ তেওঁলোকৰ লগে লগে গ'ল। ১৭ পাছত যিহোৱাই ক'লে, "মই যি কৰিম, তাক জানো অব্ৰাহামৰ পৰা লুকুৱাই ৰাখিম? ১৮ অৱশ্যেই অব্ৰাহামৰ পৰা এক মহান আৰু পৰাক্ৰমী জাতি হ'ব। তেওঁতেই পৃথিৱীৰ সমুদায় জাতিবোৰ আশীৰ্ব্বাদপ্ৰাপ্ত হ'ব। ১৯ মই তেওঁক মনোনীত কৰিলোঁ যেন তেওঁ নিজৰ সন্তান সকলক আৰু ঘৰৰ ভাবীসন্তান সকলক যিহোৱাৰ পথত চলিবলৈ, সৎ আৰু ন্যায় কাৰ্য কৰিবলৈ আজ্ঞা দিয়ে আৰু যেন যিহোৱাই অব্ৰাহামক যি কথা ক'লে তাক সিদ্ধ কৰিব পাৰে।" ২০ তাৰ পাছত যিহোৱাই ক'লে, "চদোম আৰু ঘমোৰাক লৈ ভীষণ চিঞৰ-বাখৰ হৈছে আৰু তেওঁলোকৰ পাপও অতিশয় গুৰুতৰ হৈছে; ২১ সেইবাবে, মই এতিয়া তালৈ নামি গৈ তেওঁলোকে যি কৰিছে বুলি মই শুনিছো, সচাঁকৈয়ে তেওঁলোক সেইদৰে দুষ্ট হৈছে নেকি তাক চাম; যদি তেনে নহয়, তাকো মই জানিব পাৰিম।" ২২ তাৰ পাছতে সেই পুৰুষ কেইজন তাৰ পৰা ঘূৰি চদোমৰ ফাললৈ গ'ল আৰু অব্ৰাহাম তেতিয়াও যিহোৱাৰ সন্মুখত থিয় হৈ থাকিল। ২৩ অব্ৰাহামে যিহোৱাৰ ওচৰলৈ আগবাঢ়ি গৈ সুধিলে, "আপুনি দুষ্টৰ লগত ধাৰ্মিককো বিনষ্ট কৰিব নে? ২৪ সেই নগৰৰ মাজত যদি পঞ্চাশজন ধাৰ্মিক লোক আছে, সেই পঞ্চাশ জনৰ কাৰণে আপুনি সেই নগৰক ক্ষমা নিদি বিনষ্ট কৰিব নে? ২৫ ই আপোনাৰ পৰা দূৰ হওক! ধাৰ্মিক আৰু দুষ্টৰ প্ৰতি একে ধৰণৰ ব্যৱহাৰ কৰি, দুষ্টৰ লগত ধাৰ্মিকৰ প্ৰাণ লোৱা এনে কৰ্ম আপোনাৰ পৰা দূৰ হওক; সমুদায় পৃথিৱীৰ বিচাৰকৰ্তাজনাই জানো ন্যায়-বিচাৰ নকৰিব?" ২৬ তেতিয়া যিহোৱাই ক'লে, "যদি চদোম নগৰত পঞ্চাশ জনও ধাৰ্মিক লোক পাওঁ, তেন্তে তেওঁলোকৰ কাৰণে মই সেই গোটেই নগৰ খনকে ক্ষমা দিম।" ২৭ অব্ৰাহামে উত্তৰ দি ক'লে, "চাওক, যদিও মই কেৱল ধুলি আৰু ছাঁই, তথাপিও মই প্ৰভুৰ লগত কথা ক'বলৈ সাহ কৰিছোঁ; ২৮ যদি পঞ্চাশজন ধাৰ্মিক লোক নহৈ পাঁচজন কম হয় তেনেহলে কি সেই পাঁচজন কম হোৱাৰ কাৰণে গোটেইখন নগৰকে আপুনি বিনষ্ট কৰিব নে?" তেতিয়া তেওঁ ক'লে, "মই তাত পঞ্চল্লিশজনক পালেও বিনষ্ট নকৰোঁ।" ২৯ অব্ৰাহামে আকৌ তেওঁক ক'লে, "ধৰক, যদি তাত মাত্ৰ

চল্লিশজন ধাৰ্মিক লোকক পোৱা গ'ল!" তেওঁ ক'লে, "সেই চল্লিশজনৰ
কাৰণেও মই বিনষ্ট নকৰোঁ।" ৩০ তেতিয়া অব্ৰাহামে ক'লে, "মোৰ
প্ৰভুৱে যেন ক্ৰোধ নকৰে, মই পুনৰ কওঁ যদি তাত ত্ৰিশজনকো পোৱা
যায়?" তেওঁ ক'লে, "মই যদি তাত ত্ৰিশজনকো পাওঁ, তেতিয়াও বিনষ্ট
নকৰোঁ।" ৩১ অব্ৰাহামে ক'লে, "চাওক, মই আকৌ এবাৰ সাহস কৰি
প্ৰভুক কব বিচাৰিছোঁ! যদি তাত বিশজনক পোৱা যায়?" "বিশজনৰ
কাৰণেও মই সেই নগৰ বিনষ্ট নকৰোঁ।" ৩২ অৱশেষত অব্ৰাহামে
ক'লে, "প্ৰভুৱে যেন মোক ক্ৰোধ নকৰে; মই কেৱল আৰু এবাৰহে
মাথোন কওঁ, তাত যদি দহজনকো পোৱা যায়?" তেতিয়া তেওঁ ক'লে,
"সেই দহজনৰ কাৰণেও মই তাক বিনষ্ট নকৰোঁ।" ৩৩ অব্ৰাহামৰ
সৈতে কথোপকথন শেষ হোৱাৰ পাছত যিহোৱা নিজ বাটেদি সেই
ঠাইৰ পৰা গুচি গ'ল আৰু অব্ৰাহামো নিজৰ ঘৰলৈ উভটি গ'ল।

**১৯** সেইদিনা সন্ধিয়া দুজন দূত চদোম নগৰলৈ আহিল। লোট
তেতিয়া চদোম নগৰৰ প্ৰৱেশ দুৱাৰত বহি আছিল। তেওঁলোকক
দেখা পাই লোটে উঠি সাক্ষাৎ কৰিবলৈ গ'ল আৰু মাটিত উবুৰি হৈ
প্ৰণিপাত কৰিলে। ২ তেওঁ ক'লে, "হে মোৰ প্ৰভুসকল, অনুগ্ৰহ কৰি
আপোনালোকৰ এই দাসৰ ঘৰলৈ আহঁক আৰু ভৰি-হাত ধুই ৰাতিটো
আজি ইয়াতে কটাওক। পুনৰ ৰাতিপুৱাতে উঠি নিজ বাটেদি গুচি যাব।"
তেতিয়া তেওঁলোকে ক'লে, "নহয়, ৰাতিটো আমি নগৰৰ চকতেই
থাকিম।" ৩ কিন্তু বৰকৈ জোৰ কৰিবলৈ ধৰাত, তেওঁলোক লোটৰ
লগত গৈ তেওঁৰ ঘৰত সোমাল; লোটে তেওঁলোকৰ কাৰণে খমীৰ
নিদিয়া পিঠা সেকি এসাঁজ আহাৰ যুগুত কৰিলে আৰু তেওঁলোকক
খাবলৈ দিলে। ৪ কিন্তু তেওঁলোকে শুবলৈ যোৱাৰ আগতে নগৰৰ
লোকসকলে অৰ্থাৎ চদোমৰ ল'ৰা-বৃদ্ধ আদি কৰি সকলো লোক নগৰৰ
চাৰিওফালৰ পৰা আহি ঘৰটো বেৰি ধৰিলেহি। ৫ তেওঁলোকে লোটক
মাতি ক'লে, "আজি ৰাতি যি কেইজন লোক তোমাৰ ইয়াত সোমাল,
তেওঁলোক ক'ত আছে? তেওঁলোকক আমাৰ ওচৰলৈ উলিয়াই আনা;
আমি সিহঁতৰ পৰিচয় লওঁ।" ৬ তেতিয়া লোটে দুৱাৰৰ বাহিৰত ওলাই
গৈ দুৱাৰখন জপাই ক'লে, ৭ "হে ভাইসকল, মই বিনয় কৰিছোঁ,

আপোনালোকে এনে কু-আচৰণ নকৰিব; ৮ চাওঁক, মোৰ দুজনী
ছোৱালী আছে; কোনো পুৰুষৰ সৈতে সিহঁতৰ সংস্পৰ্শ হোৱা নাই;
সিহঁতকে মই আপোনালোকৰ ওচৰলৈ উলিয়াই আনো; সিহঁতৰ লগত
আপোনালোকে যি ভাল দেখে কৰক; কেৱল এই লোকসকলক একো
নকৰিব; কিয়নো তেওঁলোকে এতিয়া মোৰ ঘৰৰ ছাঁত আশ্ৰয় লৈছে।”
৯ তেতিয়া তেওঁলোকে ক’লে, “যোৱা, আমাৰ পথৰ পৰা আঁতৰ হৈ
যোৱা!” তেওঁলোকে আকৌ ক’লে, “এইজন বিদেশী হিচাবে আমাৰ
ইয়ালৈ আহিছিল আৰু এতিয়া আমাৰে বিচাৰক হ’বলৈ গৈছে। এতিয়া
আমি সিহঁততকৈ তোৰ লগত আৰু বেয়া আচৰণ কৰিম।” এই বুলি
কৈ লোকসকলে সেই মানুহৰ বিৰুদ্ধে আগবঢ়িল আৰু লোটক ঠেলা
মাৰি দুৱাৰ ভাঙিবলৈ কাষ চাপি গ’ল। ১০ তেতিয়া সেই দুজন পুৰুষে
হাত মেলি লোটক ঘৰৰ ভিতৰলৈ টানি নিলে আৰু ভিতৰৰ পৰা দুৱাৰ
বন্ধ কৰি দিলে; ১১ তাৰ পাছত লোটৰ অতিথিসকলে ঘৰৰ দুৱাৰৰ
বাহিৰত থকা সৰু বৰ সকলো মানুহকে আঘাত কৰি কণা কৰিলে;
তাতে সেই মানুহবোৰে দুৱাৰ বিচাৰি বিচাৰি হাবাথুৰি খালে। ১২
তাৰ পাছত সেই লোক দুজনে লোটক সুধিলে, “এই ঠাইত তোমাৰ
আৰু কোনোবা আছে নেকি? তোমাৰ জোঁৱাই, পো, জী বা কোনো
আত্মীয়-স্বজন আদি কৰি যিসকল লোক এই নগৰত আছে, সেই
সকলোকে এই ঠাইৰ পৰা উলিয়াই লৈ যোৱা। ১৩ কিয়নো আমি এই
নগৰ ধ্বংস কৰিবৰ কাৰণে যুগুত হৈছোঁ। যিহোৱাৰ আগত এই ঠাইৰ
লোকসকলৰ বিৰুদ্ধে ভীষণ হৈ চৈ হৈছে আৰু সেইবাবে তেওঁ তাক
ধ্বংস কৰিবলৈ আমাক পঠাইছে।” ১৪ তেতিয়া লোটে বাহিৰলৈ গৈ
তেওঁৰ হবলগীয়া জোৱাঁইসকলক ক’লে, “সোনকাল কৰা! এতিয়াই
এই ঠাই এৰি গুছি যোৱা; কিয়নো যিহোৱাই এই নগৰ ধ্বংস কৰিবলৈ
যুগুত হৈছে।” কিন্তু জোঁৱায়েকহঁতে ভাৱিলে, তেওঁ ধেমালি কৰিছে।
১৫ তাৰ পাছত ৰাতিপুৱা সেই দুজন দূতে লোটক সোনকাল কৰিবলৈ
দিলে আৰু ক’লে, “ইয়াত থকা তোমাৰ ভাৰ্য্যা আৰু দুজনী জীয়ৰীক লৈ
গৈ থাকা; তেতিয়াহে নগৰৰ লগত তোমালোকক এই শাস্তিত ধ্বংস
কৰা নহ’ব।” ১৬ লোটে সংকোচ কৰি পলম কৰিবলৈ ধৰিলে। কিন্তু

যিহোৱাৰ দয়া তেওঁৰ ওপৰত থকা কাৰণে সেই পুৰুষ দুজনে তেওঁক,
তেওঁৰ ভাৰ্য্যাক আৰু দুজনী জীয়েককো হাতত ধৰি টানি নগৰৰ
বাহিৰলৈ উলিয়াই আনিলে। ১৭ সকলোকে বাহিৰ কৰি অনাৰ পাছত
তেওঁলোকৰ এজনে লোটক ক'লে, "প্ৰাণ বচাবলৈ হ'লে পলোৱা!
পাছলৈ ঘূৰি নাচাবা আৰু এই সমভূমিৰ কোনো ঠাইতে নৰখিবা;
পাহাৰটোলৈ পলাই যোৱা; নহ'লে তোমালোকো বিনষ্ট হ'বা।" ১৮
তেতিয়া লোটে তেওঁলোকক ক'লে, "নহয়, হে মোৰ প্ৰভু, তেনে নকৰ!
১৯ চাওঁক, আপোনালোকৰ দৃষ্টিত আপোনালোকৰ এই দাসে অনুগ্ৰহ
পাইছো আৰু মোৰ জীৱন ৰক্ষা কৰাত আপোনালোকে মোলৈ দয়াও
দেখুৱালে; কিন্তু মই পাহাৰটোলৈ পলাই যাব নোৱাৰোঁ; কিয়নো মই
গৈ পোৱাৰ আগেয়ে হয়তো সেই বিপদ আহি পৰিব আৰু মই মৰিম।
২০ চাওঁক, পলাই যাবলৈ হ'লে যথেষ্ট কাষতে সেইখন সৰু চহৰ আছে।
প্ৰাণ ৰক্ষাৰ বাবে মোক তালৈকে পলাই যাবলৈ দিয়ক। ই জানো সৰু
নহয়? তাতেই মোৰ প্ৰাণ ৰক্ষা পৰিব।" ২১ তেতিয়া দূতে ক'লে,
"বাৰু, মই তোমাৰ এই অনুৰোধ ৰাখিলোঁ। যি চহৰখনৰ কথা তুমি
ক'লা, তাক মই ধ্বংস নকৰোঁ; ২২ কিন্তু সোনকাল কৰা! বেগাই সেই
ঠাইলৈকে পলোৱা; কিয়নো তুমি সেই ঠাই নোপোৱালৈকে, মই একো
কৰিব নোৱাৰোঁ।" সেয়ে সেই চহৰখনৰ নাম হ'ল চোৱৰ। ২৩ লোটে
যেতিয়া চোৱৰ গৈ পালে তেতিয়া সূৰ্য উদয় হৈছিল। ২৪ তেনেতে
যিহোৱাই আকাশৰ পৰা চদোম আৰু ঘমোৰাৰ ওপৰত গন্ধক আৰু
অগ্নি বৰ্ষাবলৈ ধৰিলে। ২৫ তেওঁ সেই নগৰকেইখন, গোটেই সমথল,
নগৰৰ সকলো লোক আৰু ভূমিত গজা সকলো বস্তুকে বিনষ্ট কৰিলে।
২৬ কিন্তু পাছত গৈ থকা লোটৰ ভাৰ্য্যাই পাছফালে উভটি চালে, তাতে
তেওঁ লোণৰ এটা স্তম্ভ হৈ গ'ল। ২৭ অব্ৰাহামে অতি পুৱাতে উঠি যি
ঠাইত পূৰ্বতে যিহোৱাৰ সন্মুখত থিয় হৈছিল, সেই ঠাইলৈ গ'ল। ২৮
তেওঁ তলৰ ফালে চদোম, ঘমোৰা আৰু গোটেই সমতল ভূমিলৈ চাই
দেখিলে যে অগ্নিকুণ্ডৰ ধুঁৱাৰ দৰে সেই সকলো ঠাইৰ পৰা ধুঁৱা উঠিছে।
২৯ যেতিয়া ঈশ্বৰে সমথলৰ নগৰবোৰ বিনষ্ট কৰিলে, তেতিয়া ঈশ্বৰে
অব্ৰাহামক সোঁৱৰণ কৰিলে; তেওঁ লোটে য'ত বাস কৰিছিল, সেই

নগৰবোৰৰ ধ্বংসস্তূপৰ মাজৰ পৰা তেওঁক বাহিৰলৈ উলিয়াই পঠালে।
৩০ পাছত লোটৰ চোৰৰত থাকিবলৈ সাহস নহ'ল আৰু সেয়ে তেওঁ
জীয়েক দুজনীক লগত লৈ চোৰৰৰ পৰা ওলাই পাহাৰত বাস কৰিবলৈ
উঠি গ'ল; তাত তেওঁ জীয়েক দুজনীৰে সৈতে এটা গুহাত বাস কৰিলে।
৩১ পাছত ডাঙৰ জীয়েকে সৰু জনীক ক'লে, "আমাৰ পিতৃ বৃদ্ধ হৈ
গৈছে। এই এলেকাত এনে কোনো পুৰুষ নাই যেয়ে পৃথিৱীৰ নিয়ম
অনুসাৰে আমাৰ লগত সম্বন্ধ কৰিব পাৰে। ৩২ আহাঁ, আমি আমাৰ
পিতৃক দ্রাক্ষাৰস পান কৰাই তেওঁৰ লগত শয়ন কৰোঁহক। তাতে আমি
আমাৰ পিতৃৰ বংশ ৰক্ষা কৰিব পাৰিম।" ৩৩ সেই কথা অনুসাৰে
সেইদিনা ৰাতি তেওঁলোকে বাপেকক দ্রাক্ষাৰস পান কৰাই মতলীয়া
কৰিলে। তাৰ পাছত ডাঙৰজনীয়ে সোমাই গৈ বাপেকৰ লগত শয়ন
কৰিলে; কিন্তু কেতিয়া তাই শুলে আৰু কেতিয়ানো উঠি গ'ল লোটে
গমকে নাপালে। ৩৪ পাছদিনা ডাঙৰজনীয়ে সৰু জনীক ক'লে, "শুনা,
যোৱাকালি ৰাতি মই পিতৃৰ লগত শয়ন কৰিলোঁ; আহাঁ আজি ৰাতিও
আমি পিতৃক দ্রাক্ষাৰস পান কৰাওঁ আৰু তুমি সোমাই গৈ তেওঁৰ
লগত শয়ন কৰিবা। তাতে পিতৃৰ পৰা আমি আমাৰ বংশ ৰক্ষা কৰিব
পাৰিম।" ৩৫ এইদৰে সেইদিনা ৰাতিও তেওঁলোকে নিজৰ বাপেকক
দ্রাক্ষাৰস পান কৰালে আৰু সৰু জীয়েকে গৈ বাপেকৰ লগত শয়ন
কৰিলে; কিন্তু কেতিয়া যে তেওঁৰ ওচৰত শুলে আৰু কেতিয়ানো উঠি
গ'ল, তাক লোটে গম নাপালে। ৩৬ এইদৰে লোটৰ দুয়ো জনী জীয়েক
নিজ বাপেকৰ দ্বাৰা গৰ্ভৱতী হ'ল। ৩৭ পাছত ডাঙৰজনীৰ এটি পুত্ৰ
হ'ল আৰু তেওঁ তাৰ নাম মোৱাব ৰাখিলে; এই মোৱাবেই বৰ্তমানৰ
মোৱাবীয়াহঁতৰ আদিপিতৃ। ৩৮ পাছত সৰুজনীয়েও এটি পুত্ৰ প্ৰসব
কৰিলে আৰু তাৰ নাম বিন-অম্মি হ'ল; তেওঁ বৰ্তমানৰ অম্মোনীয়াহঁতৰ
আদিপিতৃ।

**২০** অব্ৰাহামে পূৰ্বৰ ঠাই এৰি নেগেভ দেশৰ ফালে গ'ল। তাত তেওঁ
কাদেচ আৰু চূৰৰ মাজৰ এঠাইত থাকিবলৈ ল'লে; সেই গৰাৰ নগৰত
তেওঁ প্ৰবাসী আছিল। ২ তাত অব্ৰাহামে নিজৰ ভাৰ্যা চাৰাৰ বিষয়ে
ক'লে, "এওঁ মোৰ ভনী।" সেয়ে সেই ঠাইৰ ৰজা অবীমেলকে মানুহ

পঠাই চাৰাক লৈ গ'ল। ৩ কিন্তু ৰাতি ঈশ্বৰে সপোনত অবীমেলকৰ
ওচৰলৈ আহি ক'লে, "চোৱা, যি মহিলাগৰাকীক তুমি লৈ আনিছা,
তেওঁৰ কাৰণে তোমাৰ মৃত্যু অনিবাৰ্য। কিয়নো তেওঁ এজন পুৰুষৰ
ভাৰ্যা।" ৪ অবীমেলকে কিন্তু তেতিয়াও চাৰাৰ ওচৰলৈ যোৱা নাছিল;
সেয়ে তেওঁ ক'লে, "হে প্ৰভু, অপৰাধ নকৰিলেও আপুনি এটা সৎ
জাতিক সংহাৰ কৰিব নে? ৫ সেই লোকজনে জানো নিজেই মোক
কোৱা নাছিল 'তাই মোৰ ভনী' বুলি? এনেকি সেই মহিলাগৰাকীয়েও
কৈছিল, 'তেওঁ মোৰ ককাই' বুলি। মই মোৰ সৰল মনেৰে আৰু
নিৰ্দোষী হাতেৰেহে এই কাম কৰিলোঁ।" ৬ তেতিয়া ঈশ্বৰে সপোনত
তেওঁক ক'লে, "হয়, মই জানো যে তুমি সৰল মনেৰেই এই কাম
কৰিলা আৰু সেই কাৰণেই মোৰ অহিতে পাপ নকৰাকৈ তোমাক
ৰাখিলোঁ; তেওঁক স্পৰ্শ কৰিবলৈ তোমাক নিদিলোঁ। ৭ গতিকে সেই
পুৰুষৰ ভাৰ্যাক এতিয়া ওভটাই দিয়া; কিয়নো সেই লোকজন এজন
ভাববাদী। তেওঁ তোমাৰ অৰ্থে প্ৰাৰ্থনা কৰিব আৰু তুমি জীবা। কিন্তু
যদি তেওঁক উভটাই নিদিয়া, তেন্তে ইয়াকে জানিবা যে তুমি আৰু
তোমাৰ লোকসকলৰ সকলোৰে অৱশ্যেই মৃত্যু হ'ব।" ৮ পাছদিনা
অবীমেলকে অতি ৰাতিপুৱাতে উঠি নিজৰ দাসবোৰক ওচৰলৈ মাতি
এই সকলো কথা ক'লে। এই কথা শুনি লোকসকলৰ অতিশয় ভয়
লাগিল। ৯ তেতিয়া অবীমেলকে অব্ৰাহামক মাতি আনি ক'লে, "আপুনি
আমাৰ লগত এইটো কি কাম কৰিলে? মইনো আপোনাৰ বিৰুদ্ধে কি
দোষ কৰিলোঁ যে আপুনি মোক আৰু মোৰ ৰাজ্যক ইমান ডাঙৰ এক
মহাপাপত পেলালে। মোলৈ এই ধৰণৰ ব্যৱহাৰ কৰা আপোনাৰ মুঠেই
উচিত হোৱা নাই।" ১০ অবীমেলকে অব্ৰাহামক পুনৰ ক'লে, "আপুনি
কি ভাবি এনে কাৰ্য কৰিলে?" ১১ তেতিয়া অব্ৰাহামে ক'লে, "মই
ভাৱিছিলো, এই ঠাইৰ লোকসকলৰ ঈশ্বৰৰ প্ৰতি নিশ্চয়ে ভয়-ভীতি
নাই; সেয়ে মোৰ ভাৰ্য্যাক পাবলৈ তেওঁলোকে মোকেই বধ কৰিব'। ১২
তাৰ বাহিৰেও বাস্তৱিকত তেওঁ মোৰ ভনীও হয়; আমাৰ মাতৃ বেলেগ
হ'লেও তেওঁৰ আৰু মোৰ পিতৃ একে। এতেকে তেওঁ মোৰ ভাৰ্য্যা হ'ল।
১৩ ঈশ্বৰে যেতিয়া মোক মোৰ পিতৃৰ ঘৰ ত্যাগ কৰিবলৈ দিলে আৰু

মোক এঠাইৰ পৰা আন ঠাইলৈ ভ্ৰমণ কৰাই লৈ ফুৰালে, তেতিয়া মই
মোৰ ভাৰ্য্যাক কৈছিলোঁ, ‘মোৰ ভাৰ্য্যা হিচাবে তুমি মোলৈ এই বিশ্বস্ততা
প্ৰকাশ কৰিবা: আমি যি ঠাইলৈকে যাম, তুমি মোক তোমাৰ ককাই
বুলি পৰিচয় দিবা’।” ১৪ তাৰ পাছত অবীমেলকে কিছুমান মেৰ-ছাগ,
গৰু আৰু দাস-দাসীক আনি অব্ৰাহামক দিলে আৰু তাৰ লগতে তেওঁৰ
ভাৰ্যা চাৰাকো ওভটাই দিলে। ১৫ অবীমেলকে ক’লে, “চোৱা, মোৰ
দেশখনেই আপোনাৰ আগত আছে; আপোনাৰ যি ঠাইতে ভাল লাগে,
তাতে নিগাজীকৈ থাকক।” ১৬ তেওঁ চাৰাকো ক’লে, “চোৱা, তোমাৰ
ককায়েৰাক মই এক হাজাৰ ৰূপ দিছোঁ; ইয়েই তোমাৰ লগতে সকলো
লোকৰ সন্মুখত তোমাৰ বিৰুদ্ধে হোৱা অপৰাধ ঢাকিবলৈ কৰা হৈছে।
তোমাৰ কোনো দোষ নাই।” ১৭ তাৰ পাছত অব্ৰাহামে ঈশ্বৰৰ আগত
প্ৰাৰ্থনা কৰিলে। তেতিয়া অবীমেলক, তেওঁৰ ভাৰ্যা, আৰু তেওঁৰ আন
আন দাসীসকলে যাতে সন্তান লাভ কৰিবলৈ সক্ষম হ’ব পাৰে, ঈশ্বৰে
তেওঁলোকক সুস্থ কৰিলে। ১৮ কিয়নো যিহোৱাই অব্ৰাহামৰ ভাৰ্যা
চাৰাৰ কাৰণে অবীমেলকৰ ঘৰত থকা সকলো মহিলাৰ সন্তান ধাৰণৰ
ক্ষমতা সম্পূৰ্ণভাৱে বন্ধ কৰিছিল।

২১ যিহোৱাই নিজৰ কথাৰ দৰে চাৰালৈ অনুগ্ৰহ কৰিলে আৰু চাৰালৈ
যি কৰিব বুলি কৈছিল তেওঁ তাক সিদ্ধ কৰিলে। ২ চাৰা গৰ্ভৱতী
হ’ল। অব্ৰাহামৰ অতি বৃদ্ধ বয়সত চাৰাই তেওঁলৈ এটি পুত্ৰ প্ৰসৱ
কৰিলে। ঈশ্বৰে প্ৰতিজ্ঞা কৰাৰ সময়তে সেই পুত্ৰৰ জন্ম হ’ল। ৩
অব্ৰাহামে চাৰাই প্ৰসৱ কৰা এই পুত্ৰৰ নাম “ইচহাক” ৰাখিলে। ৪
ঈশ্বৰৰ আজ্ঞা অনুসাৰে অব্ৰাহামে আঠ দিনৰ দিনা নিজ পুত্ৰ ইচহাকৰ
চুন্নৎ কৰিলে। ৫ পুত্ৰ ইচহাকৰ জন্মৰ সময়ত অব্ৰাহামৰ বয়স হৈছিল
এশ বছৰ। ৬ চাৰাই ক’লে, “পূৰ্বে নিঃসন্তান হোৱাৰ বাবে যদিও মই
দুখী আছিলোঁ, ঈশ্বৰে মোৰ মুখত আনন্দৰ হাঁহি দিলে; তেওঁ যি কৰিলে
সেই কথা শুনা প্ৰতিজনেও মোৰে সৈতে হাঁহিব।” ৭ তেওঁ পুনৰ ক’লে,
“ইয়াৰ আগতে কোনোৱে জানো অব্ৰাহামক ক’ব পাৰিলেহেঁতেন যে
মই এদিন সন্তানক পিয়াহ খুৱাম? কিয়নো মই এতিয়া তেওঁৰ বুঢ়া
কালত তেওঁলৈ এটি পুত্ৰ প্ৰসৱ কৰিলোঁ।” ৮ ইচহাক ক্ৰমে ডাঙৰ

হ'বলৈ ধৰিলে আৰু তেওঁৰ পিয়াহো এৰুৱালে। পিয়াহ এৰুৱাৰ দিনা
অব্ৰাহামে এক বৰভোজ পাতিলে। ৯ এদিন চাৰাই দেখিলে যে হাগাৰৰ
পুত্ৰ ইশ্মায়েলে ইচহাকক ইতিকিং কৰিছে। ১০ তাকে দেখি চাৰাই
অব্ৰাহামক ক'লে, "তুমি এই মিচৰীয়া দাসী আৰু তাইৰ পুতেকক খেদি
দিয়া! মই নিবিচাৰোঁ যে আমাৰ ইচহাকৰ সৈতে সেই দাসীৰ পুত্ৰ
উত্তৰাধিকাৰৰ ভাগী হওঁক।" ১১ পুত্ৰ ইশ্মায়েলৰ বিষয়ে এই কথা শুনি
অব্ৰাহামে মনত অতিশয় বেজাৰ পালে। ১২ কিন্তু ঈশ্বৰে অব্ৰাহামক
ক'লে, "তোমাৰ ল'ৰা ইশ্মায়েল কাৰণে আৰু তোমাৰ দাসীৰ কথা ভাৰি
মনত বেজাৰ নকৰিবা। চাৰাই কোৱা কথাবোৰ শুনি তুমি সেইদৰে কাৰ্য
কৰা; কিয়নো ইচহাকৰ দ্বাৰায়েই তোমাৰ বংশধৰসকলৰ নামাকৰণ
হ'ব। ১৩ সেই দাসীৰ পুত্ৰৰ যোগেদিও মই এক জাতি উৎপন্ন কৰিম,
কাৰণ তেৱোঁ তোমাৰেই বংশৰধৰ।" ১৪ পিছদিনা অব্ৰাহামে নিচেই
পুৱাতে উঠি কিছু পিঠা আৰু ছালেৰে তৈয়াৰী পানী ভৰা এটা মোনা লৈ
হাগাৰৰ কান্ধত তুলি দিলে। তাৰ পাছত ইশ্মায়েলকো শোধাই দি
তেওঁলোক দুয়োকো বিদায় দিলে; পাছত দুয়ো আঁতৰি গ'ল আৰু বেৰ-
চেবাৰ মৰুপ্ৰান্তৰত ভ্ৰমি ফুৰিলে। ১৫ যেতিয়া ছালৰ মোনাৰ পানী শেষ
হৈ গ'ল, তেতিয়া হাগাৰে ল'ৰাটোক এটা জোপোহাৰ তলত শুৱাই
হ'ল। ১৬ তাৰ পাছত অলপ আতঁৰতে, প্ৰায় এটা কাঁড় মাৰিলে যোৱা
দূৰত্বমানলৈ গৈ হাগাৰ বহি থাকিল। "ল'ৰাৰ মৃত্যু মই চকুৰে চাই
থাকিব নোৱাৰো," বুলি কৈ তেওঁ তাতে বহি উচুপি উচুপি কান্দিবলৈ
ধৰিলে। ১৭ ল'ৰাটিৰ কান্দোন ঈশ্বৰৰ কাণত পৰাত ঈশ্বৰৰ দূতে
আকাশৰ পৰা হাগাৰক মাত দিলে; দূতে ক'লে, "হাগাৰ, তোমাৰ
কি হৈছে? ভয় নকৰিবা; কিয়নো তাত পৰি থকা তোমাৰ ল'ৰাৰ
কান্দোন ঈশ্বৰে শুনা পাইছে। ১৮ তুমি উঠা আৰু ল'ৰাটিক তুলি লৈ
শান্ত কৰাত সহায় কৰা; কিয়নো মই তেওঁৰ যোগেদি এক মহাজাতি
উৎপন্ন কৰিম।" ১৯ তাৰ পাছতে ঈশ্বৰে হাগাৰৰ চকু মুকলি কৰাত
তেওঁ এটা কুৱাঁ দেখা পালে; তেতিয়া হাগাৰে সেই কুৱাঁৰ কাষলৈ গৈ
নিজৰ ছালৰ মোনাটোত পানী ভৰাই ল'ৰাক পান কৰালে। ২০ ঈশ্বৰ
সেই ল'ৰাৰ লগত থাকিল আৰু তেওঁ ডাঙৰ হ'বলৈ ধৰিলে। তেওঁ

মৰুপ্ৰান্তৰত বাস কৰিলে আৰু এজন ধনুৰ্দ্ধৰ হ'ল। ২১ পাৰণ নামৰ
এক মৰুপ্ৰান্তৰত তেওঁ বসতি কৰিবলৈ ধৰিলে; পাছত মিচৰ দেশৰ
এজনী ছোৱালীক তেওঁৰ বাবে ভাৰ্য্যা কৰি মাকে বিয়া পাতি দিলে। ২২
সেই সময়ত অবীমেলক আৰু তেওঁৰ সৈন্যদলৰ সেনাপতি ফীখোলে
অব্ৰাহামৰ ওচৰলৈ আহি ক'লে, "আপোনাৰ সকলো কাৰ্যতে ঈশ্বৰ
আপোনাৰ সংগত আছে। ২৩ সেইবাবে ঈশ্বৰৰ নামত আপুনি এতিয়া
মোৰ ওচৰত এই শপত খাওঁক যে, মোৰ অথবা মোৰ সন্তান সকলৰ
সৈতে নাইবা মোৰ বংশধৰসকলৰ কাৰো লগত আপুনি ছলনাৰ কাৰ্য
নকৰিব। মই যেনেকৈ আপোনাৰ প্ৰতি বিশ্বস্ততাৰে ব্যৱহাৰ কৰিছোঁ,
ঠিক তেনেকৈ আপুনিও মোৰ সৈতে আৰু যি দেশত আপুনি বাস কৰি
আছে, সেই দেশৰ প্ৰতিও বিশ্বস্ততাৰে ব্যৱহাৰ কৰিব।" ২৪ অব্ৰাহামে
ক'লে, "হয়, মই শপত খাইছোঁ।" ২৫ কিন্তু তেওঁ এটা কুৱাঁৰ বিষয়ে
অভিযোগ কৰি অবীমেলকক ক'লে যে অবীমেলকৰ দাসবোৰে সেইটো
বলেৰে তেওঁৰ পৰা অধিকাৰ কৰি লৈছে। ২৬ তেতিয়া অবীমেলকে
ক'লে, "এই কাম কোনে কৰিলে তাক মই নাজানো; এই কথা আগেয়ে
আপুনি মোক জনোৱাও নাই। মই আজিলৈকে এই কথা শুনা নাছিলো,
এতিয়াহে শুনিলো।" ২৭ তাৰ পাছত অব্ৰাহামে কিছুমান মেৰ-ছাগ
আৰু গৰু আনি অবীমেলকক দিলে আৰু দুয়োজনে এক চুক্তি কৰিলে।
২৮ পাছত অব্ৰাহামে নিজৰ মেৰ-ছাগৰ জাকৰ পৰা সাতজনী মাইকী
মেৰ-ছাগৰ পোৱালি বেলেগ কৰি হ'ল। ২৯ তাকে দেখি অবীমেলকে
অব্ৰাহামক সুধিলে, "আপুনি এই সাতজনী মাইকী মেৰ-ছাগৰ পোৱালি
বেলেগে যে থৈছে, তাৰ কাৰণটো কি?" ৩০ তেওঁ ক'লে, "আপুনি মোৰ
হাতৰ পৰা এইবোৰ গ্ৰহণ কৰিলেহে মোৰ বাবে ই প্ৰমাণিত হ'ব যে
এই কুৱাঁটো মই খান্দিছিলো।" ৩১ সেই ঠাইতে তেওঁলোক দুয়োয়ে
এক শপত লোৱাৰ বাবে তেওঁ সেই ঠাইৰ নাম বেৰ-চেবা ৰাখিলে।
৩২ এইদৰে তেওঁলোকে বেৰ-চেবাত চুক্তি কৰাৰ পাছত অবীমেলক
আৰু তেওঁৰ সেনাপতি ফীখোল পলেষ্টীয়াসকলৰ দেশলৈ উভটি গ'ল।
৩৩ অব্ৰাহামে বেৰ-চেবাত যিহোৱা অৰ্থাৎ সেই অনন্তকালৰ ঈশ্বৰৰ

নামেৰে প্ৰাৰ্থনা কৰিলে। তেওঁ সেই ঠাইত এজোপা ঝাওঁ গছ ৰুলে। ৩৪
অব্ৰাহাম পলেষ্টীয়াসকলৰ দেশত বহুদিন ধৰি বিদেশীৰূপে থাকিল।

**২২** এইবোৰ ঘটনাৰ পাছত ঈশ্বৰে অব্ৰাহামক পৰীক্ষা কৰিলে।
ঈশ্বৰে তেওঁক "অব্ৰাহাম!" বুলি মতাত অব্ৰাহামে ক'লে, "এইয়া, মই
আছোঁ।" ২ তেতিয়া ঈশ্বৰে ক'লে, "তুমি প্ৰেম কৰা তোমাৰ একমাত্ৰ
পুত্ৰ ইচহাকক লৈ মোৰিয়া দেশলৈ যোৱা; তাত যি পাহাৰটোৰ কথা
মই তোমাক কম, তাৰ ওপৰতে তুমি ল'ৰাক হোমবলিৰূপে উৎসৰ্গ
কৰাগৈ।" ৩ সেয়ে, অব্ৰাহামে ৰাতিপুৱাতে উঠি নিজৰ গাধৰ পিঠিত
আসন সজালে। তাৰ পাছত পুত্ৰ ইচহাক আৰু দুজন যুবক দাসকো
লগত ল'লে। তেওঁ হোমবলি উৎসৰ্গৰ কাৰণে কাঠো কাটি ল'লে আৰু
ঈশ্বৰে যি ঠাইৰ কথা তেওঁক কৈছিল সেই ঠাইলৈ যাত্ৰা কৰিলে। ৪
তিন দিনৰ দিনা অব্ৰাহামে চকু তুলি চাই দূৰৈৰ পৰাই সেই ঠাই দেখা
পালে। ৫ তেতিয়া অব্ৰাহামে নিজৰ দাস দুজনক ক'লে, "তোমালোক
গাধটোৰে সৈতে ইয়াতে থাকা; মই আৰু মোৰ ল'ৰাই সেই ঠাইলৈকে
যাওঁ; তাত আমাৰ প্ৰাৰ্থনা শেষ কৰি তোমালোকৰ ওচৰলৈ পুনৰ উলটি
আহিম।" ৬ এইবুলি কৈ অব্ৰাহামে হোমবলিৰ কাঠখিনি তেওঁৰ পুত্ৰ
ইচহাকৰ কান্ধত দি অগ্নি আৰু ছুৰীখন নিজৰ হাতত ল'লে। তাৰ
পাছত তেওঁলোক দুয়ো একেলগে খোজকাঁঢ়ি যাবলৈ ধৰিলে। ৭
তেতিয়া ইচহাকে তেওঁৰ পিতৃ অব্ৰাহামক মাতিলে, "হে মোৰ পিতৃ।"
তাতে অব্ৰাহামে ক'লে, "মোৰ বোপা, মই ইয়াতে আছোঁ।" সি ক'লে,
"হোমবলি উৎসৰ্গৰ কাৰণে চাওঁক জুই আৰু কাঠ আছে, কিন্তু মেৰ-
ছাগৰ পোৱালি ক'ত?" ৮ অব্ৰাহামে ক'লে, "বোপা, হোমবলিৰ কাৰণে
ঈশ্বৰে নিজেই মেৰ-ছাগ পোৱালি যোগাব।" এইদৰে কথা পাতি পাতি
তেওঁলোক দুয়ো একেলগে আগুৱাই গ'ল। ৯ পাছত যি ঠাইৰ কথা
ঈশ্বৰে অব্ৰাহামক কৈছিল, তেওঁলোকে গৈ সেই ঠাই পালে আৰু সেই
ঠাইতে অব্ৰাহামে এটা যজ্ঞবেদি নিৰ্ম্মাণ কৰি তাৰ ওপৰত কাঠ সজাই
হ'ল। তাৰ পাছত নিজৰ পুত্ৰ ইচহাকক বান্ধি যজ্ঞবেদিৰ কাঠৰ ওপৰত
হ'ল। ১০ তেতিয়া অব্ৰাহামে নিজ পুত্ৰক বধ কৰিবলৈ ছুৰীখন হাতত
ল'লে। ১১ তেনে সময়তে আকাশৰ পৰা যিহোৱাৰ দূতে তেওঁক মাতি

ক'লে, "অব্ৰাহাম, অব্ৰাহাম!" তেওঁ ক'লে, "এইয়া মই আছোঁ।" ১২
দূতে ক'লে, "তুমি ল'ৰাটোৰ গাত হাত নিদিবা আৰু তাৰ একো হানি
নকৰিবা; কিয়নো তুমি যে ঈশ্বৰৰ ভয়কাৰী লোক, সেই বিষয়ে মই
এতিয়া জানিছোঁ; কাৰণ তুমি তোমাৰ একেটি পুত্ৰকো মোৰ বাবে বলি
দিবলৈ অসন্মত নহলে।" ১৩ তেতিয়া অব্ৰাহামে চকু তুলি চাই নিজৰ
পাছফালে এটা মতা মেৰ-ছাগক দেখা পালে আৰু তাৰ শিংকেইটা
জোপোহাৰ মাজত জপটিয়াই লাগি আছিল। অব্ৰাহামে গৈ সেই মেৰ-
ছাগটো আনি নিজৰ পুত্ৰৰ সলনি তাকে হোমবলি উৎসৰ্গ কৰিলে। ১৪
তাৰবাবে অব্ৰাহামে সেই ঠাইৰ নাম যিহোৱা-যিৰি ৰাখিলে; সেয়ে
আজিও লোকে এইবুলি কয়, "যিহোৱাৰ পাহাৰত যিহোৱায়ে যোগাই
দিব।" ১৫ পাছত ঈশ্বৰৰ দূতে আকাশৰ পৰা পুনৰ মাত লগালে। ১৬
তেওঁ ক'লে, "যিহোৱাই এই কথা কৈছে, 'তুমি তোমাৰ পুত্ৰ, একেটি
পুত্ৰকো মোৰ বাবে বলিদান দিবলৈ অসন্মত নহলে আৰু যিহেতু তুমি
এই কাৰ্য কৰিলা, সেয়ে মই নিজ নামেৰে শপত খাই কৈছো যে, ১৭
মই নিশ্চয় তোমাক আশীৰ্ব্বাদ কৰিম; আকাশৰ তৰাবোৰৰ দৰে আৰু
সাগৰৰ তীৰত থকা বালিৰ দৰে তোমাৰ বংশ অতিশয় ৰূপে বৃদ্ধি
কৰিম; তোমাৰ বংশৰ লোকসকলে তেওঁলোকৰ শত্ৰুবোৰৰ নগৰৰ
দুৱাৰ জয় কৰিব। ১৮ তোমাৰ বংশৰ যোগেদিয়েই পৃথিৱীৰ সমুদায়
জাতি আশীৰ্ব্বাদ প্ৰাপ্ত হ'ব; তুমি মোৰ কথা পালন কৰিলা বাবেই তেনে
হ'ব।" ১৯ পাছত অব্ৰাহাম নিজৰ দাসবোৰৰ ওচৰলৈ উভটি আহিল
আৰু সকলো একেলগে বেৰ-চেবালৈ ঘূৰি গ'ল; এই বেৰ-চেবাতে
অব্ৰাহামে বাস কৰিছিল। ২০ এইবোৰ ঘটনাৰ পাছত অব্ৰাহামে এই
কথা শুনিবলৈ পালে, "তোমাৰ ককাই নাহোৰৰ ভাৰ্য্যা মিল্কাৰো সতি-
সন্ততিৰ জন্ম হ'ল।" ২১ তেওঁলোক হ'ল তেওঁৰ বৰ পুতেক উচ; তাৰ
পাছত ভায়েক বুজ আৰু কমৱেলৰ জন্ম হ'ল। কমৱেলৰ পুত্ৰৰ নাম
আছিল অৰাম। ২২ অন্যান্য সন্তান সকল কেচদ, হজো, পিলদচ,
ফিদলফ, আৰু বথোৱেল। ২৩ এই বথোৱেলৰ ছোৱালীৰ নাম ৰিবেকা
আছিল। মিল্কাই অব্ৰাহামৰ ককায়েক নাহোৰলৈ এই আঠজনক প্ৰসৱ

কৰিলে। ২৪ নাহোৰৰ এগৰাকী উপপত্নী আছিল। তাইৰ নাম আছিল
ৰোমা। তাই টেবহ, গহম, তহচ, আৰু মাখা এইসকলক প্ৰসৱ কৰিলে।

২৩ চাৰা এশ সাতাইশ বছৰ কাল জীয়াই আছিল। এয়ে আছিল
চাৰাৰ জীৱনৰ আয়ুসৰ কাল। ২ কনান দেশৰ কিৰিয়ৎ-অৰ্ব্ব নগৰত
অৰ্থাৎ হিব্ৰোণত তেওঁৰ মৃত্যু হ'ল; তাতে অব্ৰাহামে চাৰাৰ কাৰণে
কান্দি কান্দি শোক কৰিলে। ৩ পাছত অব্ৰাহামে তেওঁৰ মৃত ভাৰ্য্যাৰ
ওচৰৰ পৰা উঠি গৈ সেই ঠাইৰ হেতৰ সন্তান সকলক ক'লে, ৪ "মই
আপোনালোকৰ মাজত এজন বিদেশী হিচাবে বাস কৰিছোঁ। সেয়ে,
দয়া কৰি আপোনালোকৰ মাজৰ এডোখৰ স্থান আমাৰ অধিকাৰত
দিয়ক যাতে মই মোৰ মৃতকক মৈদাম দিব পাৰোঁ।" ৫ তেতিয়া
হেতৰ সন্তান সকলে অব্ৰাহামক উত্তৰ দি ক'লে, ৬ "হে মালিক,
আমাৰ কথা শুনক; আপুনি আমাৰ মাজত ঈশ্বৰৰ এজন নিযুক্ত
ৰজা স্বৰূপ; আমাৰ মৈদামবোৰৰ আটাইতকৈ উত্তমটো নিৰ্বাচন কৰি
তাতেই আপোনাৰ মৃতকক মৈদাম দিয়ক। আপোনাৰ মৃতকক মৈদাম
দিবৰ কাৰণে আমাৰ মাজৰ কোনেও নিজৰ মৈদামস্থান এৰি দিবলৈ
আপত্তি নকৰিব।" ৭ তেতিয়া অব্ৰাহামে উঠি সেই দেশৰ লোকসকলৰ
অৰ্থাৎ হেতৰ বাসিন্দাসকলৰ আগত নতশিৰে প্ৰণিপাত কৰিলে।
৮ তেওঁলোকৰ সৈতে কথা-বতৰা হৈ ক'লে, "মোৰ মৃতকৰ মৈদাম
দিবলৈ তোমালোক যে সন্মত হৈছা এই কাৰণে মোৰ কথা শুনা মোৰ
হৈ চোহৰৰ পুত্ৰ ইফ্ৰোণৰ সৈতে আলোচনা কৰা। ৯ পথাৰৰ মুৰত
যিটো মকপেলাৰ গুহা আছে সেইটো মই কিনিবলৈ বিছাৰো, ইফ্ৰোণ
সেই গুহাৰ গৰাকী সেয়ে যি মূল্য হয় সকলো মই পৰিশোধ কৰিম।
মই বিছাৰো মোৰ পত্নীৰ মৈদামৰ বাবে যে এই ঠাই কিনি লৈছোঁ
তাৰ সাক্ষী আপোনালোক হ'ব।" ১০ তেতিয়া হেতৰ সন্তান সকলৰ
মাজত ইফ্ৰোণ বহি আছিল। হেতৰ সন্তান সকল আৰু নগৰৰ প্ৰৱেশ
দুৱাৰেদি সোমোৱা সকলোৱে শুনাকৈ, হিত্তীয়া ইফ্ৰোণে অব্ৰাহামক
উত্তৰ দি ক'লে, ১১ "নহয়, মোৰ মালিক, মোৰ কথা শুনক, পথাৰ
খন মই আপোনাক দিছোঁ আৰু তাত থকা গুহাটো মই আপোনাক
দিছোঁ; মই স্ব-জাতীয় সকলৰ সাক্ষাতেই আপোনাক দিছোঁ; যাতে

আপোনাৰ ইচ্ছামতে নিজ পত্নীক মৈদাম দিয়ে।” ১২ তাতে অব্ৰাহামে
সেই বাসিন্দাসকলৰ আগত নতশিৰে প্ৰণিপাত কৰিলে। ১৩ আৰু
বাসিন্দাসকলে শুনাকৈ ইফ্ৰোণক ক'লে, কিন্তু “মই সেই মাটিৰ উচিত
দাম আপোনাক দিবলৈ বিচাৰো। মই দিয়া দাম অনুগ্ৰহ কৰি আপুনি
গ্ৰহণ কৰক, পাছত মই সেই ঠাইত মোৰ মৃত পত্নীক মৈদাম দিম।”
১৪ তেতিয়া ইফ্ৰোণে অব্ৰাহামক উত্তৰ দি ক'লে, ১৫ “হে মোৰ মালিক,
মোৰ কথা শুনক, চাৰিশ চেকল ৰূপৰ মাটি; আপোনাৰ আৰু মোৰ
মাজত সিনো কি বস্তু? এতেকে আপোনাৰ মৃতকৰ মৈদাম দিয়কগৈ।”
১৬ পাছত অব্ৰাহামে ইফ্ৰোণৰ কথাত মান্তি হৈ, হেতৰ সন্তান সকলে
শুনাকৈ তেওঁ যি ৰূপৰ কথা কৈছিল, সেই চাৰি শ চেকল ৰূপ বণীয়াহঁতৰ
দ্বাৰাই জুখি তেওঁক দিলে। ১৭ মম্ৰিৰ সন্মুখত মকপেলাত ইফ্ৰোণৰ যি
পথাৰ আছিল, সেই পথাৰ আৰু তাত থকা গুহা আৰু সেই পথাৰৰ
আটাইবোৰ গছ, তাৰ চাৰিও সীমাৰ ভিতৰত থকা গছ, এই সকলোতে,
১৮ হেতৰ সন্তান সকল, তাৰ নগৰৰ দুৱাৰেদি সোমোৱা সকলোৰে
আগতে অব্ৰাহামৰ স্বত্বাধিকাৰ নিশ্চয় কৰা হ'ল। ১৯ পাছে অব্ৰাহামে
কনান দেশৰ মম্ৰিৰ অৰ্থাৎ হিব্ৰোণৰ সন্মুখত থকা মকপেলাৰ পথাৰৰ
গুহাত তেওঁৰ ভাৰ্যা চাৰাক মৈদাম দিলে। ২০ এই দৰে মৈদামৰ ঠাই
অধিকাৰৰ অৰ্থে, সেই পথাৰ আৰু তাত থকা গুহাত, হেতৰ সন্তান
সকলৰ দ্বাৰাই অব্ৰাহামৰ স্বত্বাধিকাৰ স্থিৰ কৰা হ'ল।

**২৪** অব্ৰাহাম অতিশয় বৃদ্ধ অৱস্থালৈ জীয়াই আছিল। আৰু যিহোৱাই
সকলোতে অব্ৰাহামক আশীৰ্ব্বাদ কৰিছিল। ২ পাছত অব্ৰাহামে সকলো
কাৰ্য পৰিচালনা কৰা ঘৰৰ বৃদ্ধ দাসক ক'লে, “বিনয় কৰোঁ, তুমি মোৰ
কৰঙনৰ তলত হাত দিয়া। ৩ মই তোমাক স্বৰ্গ আৰু পৃথিৱীৰ ঈশ্বৰ
যিহোৱাৰ নামেৰে শপত দিছো। এই যি কনানীয়া লোকৰ মাজত
বাস কৰিছোঁ, তুমি মোৰ পুত্ৰৰ বিয়াৰ বাবে ইহঁতৰ কোনো ছোৱালী
নানিবা, ৪ তুমি মোৰ দেশত থকা জ্ঞাতিসকলৰ ওচৰলৈ গৈ মোৰ
পুত্ৰ ইচহাকৰ বিয়াৰ বাবে ছোৱালী বিচাৰি ইয়ালৈ লৈ আনিবা।”
৫ তেতিয়া সেই দাসে তেওঁক ক'লে, “যদি কোনো ছোৱালী মোৰ
লগত এই দেশলৈ আহিবলৈ মান্তি নহয়? পাছত আপুনি যি দেশৰ

পৰা ওলাই আহিল, মই আপোনাৰ পুত্ৰক লৈ আকৌ সেই দেশলৈ
যাম নে?” ৬ অব্ৰাহামে তেওঁক ক’লে, “সাৱধান হোৱা, তুমি মোৰ
পুত্ৰক সেই দেশলৈ কেতিয়াও ওলোটাই নিনিবা! ৭ স্বৰ্গৰ প্ৰভু স্বয়ং
ঈশ্বৰ যিহোৱাই মোৰ পিতৃৰ জন্মভূমিৰ পৰা মোক সপৰিয়ালে সৈতে
ইয়ালৈ লৈ আহিল আৰু মই তোমাৰ বংশক এই দেশ দিম বুলি মোৰ
আগত শপত কৰিলে, স্বৰ্গৰ ঈশ্বৰ যিহোৱাই তোমাৰ আগে আগে
নিজ দূত পঠাই দিব; তাতে তুমি মোৰ পুত্ৰৰ নিমিত্তে সেই ঠাইৰ
পৰাই ছোৱালী আনিব পাৰিবা। ৮ যদি কোনো ছোৱালী তোমাৰ লগত
আহিবলৈ মান্তি নহয়, তেন্তে তুমি এই শপতৰ পৰা মুক্ত হ’বা; কিন্তু
মোৰ পুত্ৰক হ’লে তালৈ পুনৰাই নিনিবা।” ৯ তাতে, সেই দাসে নিজ
প্ৰভু অব্ৰাহামৰ কৰঙনৰ তলত হাত দি, সেই বিষয়ে তেওঁৰ আগত
শপত কৰিলে। ১০ পাছত সেই দাসে নিজ প্ৰভুৰ উটবোৰৰ মাজৰ
দহোটা উট লগত ল’লে; আৰু নিজ প্ৰভুৰ পৰা সকলো ধৰণৰ উত্তম
উত্তম বস্তুৰ অলপ লৈ সেই ঠাইৰ পৰা অৰাম-নহৰিয়মৰ নাহোৰ নগৰৰ
ওচৰ পালে। ১১ তাতে তেওঁ নগৰৰ বাহিৰত থকা কুৱাঁৰ ওচৰলৈ
গ’ল। তাতে গধূলি সময়ত মহিলাসকল ওলাই কুৱাঁৰ পানী তুলিবলৈ
সেই ঠাইলৈ আহে। তেওঁ তাতেই উটবোৰক আঠুকঢ়াই বহাই থ’লে।
১২ তেতিয়া সেই দাসে ক’লে, “হে মোৰ প্ৰভু অব্ৰাহামৰ ঈশ্বৰ যিহোৱা,
মই বিনয় কৰোঁ, আজি মোক সহায় কৰি সফল কৰক। মোৰ প্ৰভু,
অব্ৰাহামৰ পুত্ৰৰ বাবে এগৰাকী যোগ্য পাত্ৰী বাচিবলৈ সহায় কৰক।
অনুগ্ৰহ কৰি মোৰ প্ৰভু অব্ৰাহমক এই দয়া কৰক। ১৩ চাওকচোন,
মই এই ভুমুকৰ ওচৰত থিয় হৈ আছোঁ; পাছত সেই নগৰীয়া মানুহৰ
ছোৱালীবোৰ পানী তুলিবলৈ ওলাই আহিব। ১৪ ইচহাকৰ বাবে যি
গৰাকী যোগ্য হ’ব তেওঁ যদি আমাক কলহ নমাই পানী খাবলৈ দিয়ে।
তেতিয়া ‘বিনয় কৰোঁ তুমি কলহ নমাই মোক পানী খাবলৈ দিয়া’,
এই কথা মই যি ছোৱালীক ক’ম, সেই ছোৱালীয়ে যদি কয়, ‘খাওক
আৰু আপোনাৰ উটবোৰকো খুৱাওঁক’, তেন্তে সেই ছোৱালী জনীয়েই
আপোনাৰ দাস ইচহাকৰ কাৰণে আপোনাৰ নিৰূপিত কন্যা হওক;
আৰু ইয়াৰ দ্বাৰাই যে মোৰ প্ৰভুলৈ আপুনি দয়া কৰিছে, সেই বিষয়ে

মই জানিম।” ১৫ পাছত তেওঁ প্ৰাৰ্থনা শেষ কৰাৰ আগতে, ৰিবেকাই কান্ধত কলহ লৈ বাহিৰলৈ ওলাই আহিল। ৰিবেকা অব্ৰাহামৰ ভাই নাহোৰৰ ভাৰ্যা মিল্কাৰ পুতেক বথোৱেলৰ জীয়েক। ১৬ সেই যুৱতী দেখাত পৰম সুন্দৰী আৰু কোনো পুৰুষৰ সৈতে সংস্পৰ্শ নথকা কুমাৰী আছিল। তাই ভুমুকলৈ নামি কলহ ভৰাই উঠি আহিল। ১৭ এনেতে, দাসজনে লৰি গৈ, তাইৰে সৈতে সাক্ষাত কৰি ক'লে, “বিনয় কৰোঁ, তোমাৰ কলহৰ পৰা মোক অলপমান পানী খাবলৈ দিয়া।” ১৮ তাতে তাই ক'লে, “আপুনি খাওঁক,” এই বুলি তাই হাতত লৈ অহা কলহটো নমাই থলে আৰু সেই দাসক পানী খাবলৈ দিলে। ১৯ এনেদৰে পানী খুৱাই অঁতোৱাৰ পাছত তাই ক'লে, “আৰু আপোনাৰ উটবোৰেও পানী খাই নুঠালৈকে মই সিহঁতলৈকো তুলিম।” ২০ এই বুলি তাই বেগতে ঘোলনিত কলহৰ পানী বাকি দি, আকৌ পানী তুলিবলৈ কুৱাঁলৈ গৈ, উটবোৰলৈ পানী তুলি দি আছিল। ২১ তাতে সেই দাসে তাইৰ সকলো কৰ্ম নীৰৱে লক্ষ্য কৰি আছিল। তেওঁ নিশ্চিত হ'ব বিচাৰিছিল যে যিহোৱাই তেওঁৰ যাত্ৰা সফল কৰিছে নে নাই। ২২ উটবোৰে পানী খাই শেষ কৰাৰ পাছত, সেই দাসজনে আধা চেকল সোণৰ এটা নথ আৰু হাতৰ কাৰণে দহ চেকল সোণৰ এযোৰ খাৰু লৈ তাইক ক'লে, ২৩ “কোৱাচোন তুমি কাৰ জীয়েক? বিনয় কৰোঁ, এই ৰাতি থাকিবলৈ তোমাৰ পিতৃৰ ঘৰত আমাৰ বাবে ঠাই হ'ব নে?” ২৪ তেতিয়া তাই ক'লে, “মই নাহোৰ আৰু মিল্কাৰ পুত্ৰ বথোৱেলৰ জীয়েক।” ২৫ তাই তেওঁক আৰু ক'লে, “আমাৰ তাত খেৰ আৰু দানা বহুত আছে ৰাতি থাকিবলৈ কোঁঠালিও আছে।” ২৬ তেতিয়া সেই দাসজনে মূৰ দোঁৱালে আৰু যিহোৱাৰ আগত প্ৰণিপাত কৰিলে। ২৭ তেওঁ ক'লে “মোৰ প্ৰভু অব্ৰাহামৰ ঈশ্বৰ যিহোৱা ধন্য; মোৰ প্ৰভুৰ প্ৰতি তেওঁ বিশ্বস্ততা আৰু বিশ্বাসযোগ্যতা এতিয়ালৈ ত্যাগ কৰা নাই। এইদৰে মোক যিহোৱাই স্পষ্টভাৱে বাট দেখুৱাই মোৰ প্ৰভুৰ আত্মীয়ৰ ঘৰলৈ লৈ আনিলে।” ২৮ পাছত সেই ছোৱালীজনী বেগাই ঘৰলৈ গ'ল আৰু মাকৰ লগতে ঘৰৰ সকলোকে এই সকলো কথা ক'লে। ২৯ ৰিবেকাৰ লাবন নামেৰে এজন ককায়েক আছিল; তেতিয়া লাবনে বেগাই সেই ভুমুকৰ ওচৰত

থকা সেই পুৰুষজনৰ ওচৰলৈ গ'ল। ৩০ তেওঁ যেতিয়া ভনীয়েকৰ
হাতত খাৰু আৰু নথ দেখিলে আৰু নিজৰ ভনী ৰিবেকাৰ মুখেৰে
যেতিয়া "তেওঁ এই কথা ক'লে," বুলি শুনিলে, তেতিয়া তেওঁ সেই
পুৰুষজনৰ ওচৰলৈ গ'ল। সেই পুৰুষজন তেতিয়া উটবোৰৰ সৈতে
পানীৰ ভুমুকটোৰ ওচৰত থিয় হৈ আছিল। ৩১ লাবনে ক'লে, "আপুনি
যিহোৱাৰ আশীৰ্ব্বাদপ্ৰাপ্ত লোক, আহঁক; বাহিৰত কিয় এনেদৰে থিয়
হৈ আছে? মই আপোনাৰ বাবে ঘৰ আৰু উটবোৰলৈয়ো ঠাই যুগুত
কৰিছোঁ।" ৩২ তেতিয়া পুৰুষজন গৈ সেই ঘৰত সোমাল। উটবোৰৰ
পৰা বোজাবোৰ নমালে আৰু খাবলৈ খেৰ আৰু দানা দিলে। তাৰ
পাছত তেওঁক আৰু তেওঁৰ লগত যোৱা লোকসকলক ভৰি ধুবলৈ পানী
দিলে। ৩৩ পাছত তেওঁলোকৰ আগত খাবলৈ আহাৰ যুগুত কৰি দিলে;
কিন্তু তেওঁ খাবলৈ সন্মত নহ'ল। তেওঁ ক'লে, "মোৰ ক'বলগীয়া কথা
নোকোৱালৈকে মই আহাৰ গ্ৰহণ নকৰোঁ।" তেতিয়া লাবনে ক'লে,
"তেনেহ'লে কওঁক।" ৩৪ তেতিয়া তেওঁ ক'লে, "মই অব্ৰাহামৰ দাস।
৩৫ যিহোৱাই মোৰ প্ৰভুক অতিশয়ৰূপে আশীৰ্ব্বাদ কৰিছে আৰু এতিয়া
এজন মহান ব্যক্তি। যিহোৱাই তেওঁক মেৰ-ছাগ, ছাগলী আৰু গৰুৰ
জাক, ৰূপ আৰু সোণ, দাস-দাসী, উট, গাধ এই সকলো দিছে। ৩৬
চাৰা, মোৰ প্ৰভুৰ ভাৰ্য্যাই বৃদ্ধ কালত মোৰ প্ৰভুলৈ এটি পুত্ৰ সন্তান
প্ৰসৱ কৰিলে আৰু তেওঁকেই তেওঁ নিজৰ সকলোখিনি দিছে। ৩৭
মোৰ প্ৰভুৱে শপত খুৱাই মোক কৈছিল যে, 'মই যি কনান দেশত বাস
কৰিছোঁ, তুমি মোৰ পুত্ৰৰ ভাৰ্য্যাৰূপে এই দেশৰ কোনো কনানীয়া
লোকৰ ছোৱালীক নানিবা। ৩৮ ইয়াৰ পৰিবৰ্তে, মোৰ পিতৃৰ আৰু
মোৰ আত্মীয়সকলৰ পৰিয়াললৈ যোৱা আৰু মোৰ পুত্ৰৰ বাবে এগৰাকী
ভাৰ্য্যা লৈ আহাঁ'। ৩৯ মই মোৰ প্ৰভুক ক'লোঁ, 'সম্ভৱতঃ ছোৱালীয়ে
যদি মোক অনুসৰণ নকৰে'। ৪০ কিন্তু তেওঁ মোক ক'লে, 'যিজনৰ
সাক্ষাতত মই জীৱন-যাপন কৰি আছোঁ, সেইজনা যিহোৱাই তোমাৰ
সৈতে যাবৰ বাবে তেওঁৰ দূত পঠিয়াই দিব, আৰু তোমাৰ পথ উন্নত
কৰিব; তাতে তুমি মোৰ পুত্ৰৰ বাবে মোৰ আত্মীয়সকলৰ আৰু মোৰ
পিতৃৰ বংশৰ পৰা ভাৰ্য্যা আনিব পাৰিবা। ৪১ কিন্তু তুমি যদি মোৰ

আত্মীয়সকলৰ ওচৰলৈ যোৱা আৰু তেওঁলোকে যদি মোৰ পুত্ৰৰ বাবে ছোৱালী দিবলৈ অস্বীকাৰ কৰে, তেনেহলে তুমি মোৰ এই শপতৰ পৰা মুক্ত হ'বা'। ৪২ সেয়ে মই আজি এই পানীৰ ভুমুকৰ ওচৰ পালোঁ আৰু ক'লো, 'হে যিহোৱা, মোৰ প্ৰভু অব্ৰাহামৰ ঈশ্বৰ; অনুৰোধ কৰোঁ, তুমি যদি মোৰ যাত্ৰা সফল কৰিবলৈ প্ৰকৃতপক্ষে মনস্থ কৰা। ৪৩ তেনেহ'লে মই এই পানীৰ ভুমুকৰ ওচৰত থিয় হৈ আছোঁ; ইয়াতে পানী তুলিবলৈ অহা যিজনী ছোৱালীক ক'ম, 'বিনয় কৰোঁ, তোমাৰ কলহৰ পৰা মোক পানী খাবলৈ দিয়া'। ৪৪ তাতে সেই ছোৱালীজনীয়ে যদি মোক কয়, 'আপুনিও খাওঁক আৰু আপোনাৰ উটবোৰলৈকো পানী তুলি দিম', তেনেহ'লে সেই ছোৱালীয়েই মোৰ প্ৰভুৰ পুত্ৰলৈ যিহোৱাই নিৰূপণ কৰা কন্যা হওঁক। ৪৫ এই কথা মই মনতে ভাৱি শেষ নকৰোঁতেই, চাওক, ৰিবেকাই কান্ধত কলহ লৈ ওলাই আহিল আৰু পানী নিবৰ বাবে জলৰ ভুমুকৰ ওচৰ পালে। তাতে মই তেওঁক ক'লো, 'অনুৰোধ কৰোঁ, মোক পানী খাবলৈ দিয়া'। ৪৬ তেতিয়া তেওঁ বেগতে কান্ধৰ পৰা কলহ নমাই থৈ ক'লে, 'খাওঁক, মই আপোনাৰ উটবোৰকো খুৱাম'। তাতে মই খালো আৰু তেওঁ উটবোৰকো খুৱালে। ৪৭ পাছত মই তেওঁক সুধিলোঁ, 'তুমি কাৰ জীয়েক'? তেওঁ ক'লে, 'মই বথোৱেলৰ জীয়েক; তেওঁ নাহোৰ আৰু মিল্কাৰ পুত্ৰ'। তেতিয়া মই তেওঁৰ নাকত সেই নথ আৰু হাতত সেই খাৰুও পিন্ধালোঁ। ৪৮ তেতিয়া মই মুৰ দোৱালো আৰু যিহোৱাৰ আৰাধনা কৰিলোঁ। ধন্য যিহোৱা, মোৰ প্ৰভু অব্ৰাহামৰ ঈশ্বৰ; মোৰ প্ৰভুৰ পুত্ৰৰ বাবে তেওঁৰ আত্মীয়ৰ পৰা কন্যা বিচাৰি আনিবলৈ তেওঁ মোক সঠিক পথত চলায় আনিলে। ৪৯ এতিয়া মই কওঁ, 'তুমি যদি মোৰ প্ৰভুৰ পৰিয়ালৰ সৈতে বিশ্বাসযোগ্য আৰু নিৰ্ভৰযোগ্য হ'বলৈ সন্মত হোৱা, তেনেহলে মোক কোৱা; কিন্তু যদি নহোৱা, তেনেহলেও মোক কোৱা, কিয়নো তেতিয়া মই সোঁফালে বা বাওঁফালে ঘূৰিম।" ৫০ তেতিয়া লাবন আৰু বথোৱেলে উত্তৰ দি ক'লে, "এই বিষয় যিহোৱাৰ পৰা আহিল; সেয়ে এই বিষয়টো ভাল বা বেয়া বুলি আমি তোমাক ক'ব নোৱাৰিম। ৫১ চোৱা, ৰিবেকা তোমাৰ ওচৰতে আছে; তাইক লৈ যোৱা; যিহোৱাই

কোৱাৰ দৰেই তাই তোমাৰ প্ৰভুৰ পুত্ৰৰ ভাৰ্যা হওক।” ৫২ যেতিয়া
অব্ৰাহামৰ দাসে তেওঁলোকৰ কথা শুনিলে, তেতিয়া তেওঁ মাটিত
আঠুকাঢ়ি যিহোৱাৰ আগত প্ৰণিপাত কৰিলে। ৫৩ পাছত সেই দাসে
সোণ, ৰূপৰ অলংকাৰ আৰু বস্ত্ৰ উলিয়াই ৰিবেকাক দিলে, আৰু তেওঁৰ
ককায়েক আৰু মাককো বহুমূলীয়া উপহাৰ দিলে। ৫৪ পাছত তাতে
তেওঁ আৰু তেওঁৰ লগত অহা লোকসকলে ভোজন-পান কৰিলে আৰু
ৰাতিটো থাকিল। তাতে ৰাতিপুৱা তেওঁলোক যেতিয়া উঠিল, তেতিয়া
সেই দাসে ক’লে, “এতিয়া মোৰ প্ৰভুৰ ওচৰলৈ মোক যাবলৈ দিয়ক।”
৫৫ তেতিয়া তেওঁৰ ককায়েক আৰু মাকে ক’লে, “আমাৰ লগত পুনৰ
কিছু দিনলৈ কন্যাজনী থাকক; অতি কমেও দহ দিন মান থাকক। তাৰ
পাছত তেওঁ যাব।” ৫৬ কিন্তু তেওঁ তেওঁলোকক ক’লে, “যিহোৱাই মোৰ
যাত্ৰা সফল কৰিছে; এতেকে মোক পলম কৰি নাৰাখিব; মই মোৰ
প্ৰভুৰ ওচৰলৈ যাওঁ, মোক বিদায় দিয়ক।” ৫৭ তেতিয়া তেওঁলোকে
ক’লে, “আমি আমাৰ ছোৱালীক মাতি আনো আৰু তেওঁৰ মুখৰ কথা
শুনো।” ৫৮ তাৰ পাছত তেওঁলোকে ৰিবেকাক মাতি আনি সুধিলে,
“তুমি এই জন মানুহৰ লগত যাবা নে?” তেতিয়া তেওঁ উত্তৰ দিলে,
“হয়, মই যাম।” ৫৯ তেতিয়া তেওঁ নিজ ভনী ৰিবেকা আৰু ৰিবেকাৰ
আলপৈচান ধৰা দাসীগৰাকীক অব্ৰাহামৰ দাস আৰু তেওঁৰ সৈতে অহা
লোকসকলৰ লগত যাত্ৰা কৰিবলৈ পঠিয়াই দিলে। ৬০ তেওঁলোকে
ৰিবেকাক আশীৰ্ব্বাদ কৰিলে আৰু ক’লে, “হে আমাৰ ভনী, তুমি অযুত
অযুত লোকৰ আদি-মাতৃ হোৱাগৈ, আৰু তোমাৰ বংশই তোমাক ঘৃণা
কৰা লোকসকলৰ নগৰৰ দুৱাৰবোৰ অধিকাৰ কৰক।” ৬১ তেতিয়া
ৰিবেকা আৰু তেওঁৰ দাসীয়ে আহি উটত উঠিল আৰু সেই লোকজনক
অনুসৰণ কৰিলে। তাতে সেই দাসে ৰিবেকাক লগত ল’লে আৰু তেওঁৰ
পথত যাত্ৰা কৰিব ধৰিলে। ৬২ সেই সময়ত ইচহাকে নেগেভত বাস
কৰিছিল, আৰু তেওঁ বেৰ-লহয়-ৰোৱীৰ পৰা উভতি আহিছিলহে মাত্ৰ।
৬৩ ইচহাকে সন্ধিয়া সময়ত কোনো বিষয় বিবেচনা কৰি পথাৰলৈ
গৈছিল। তাতে তেওঁ যেতিয়া চকু তুলি চালে, তেতিয়া উটবোৰক আহি
থকা দেখিলে। ৬৪ তাতে ইচহাকক যেতিয়া ৰিবেকাই দেখা পালে,

তেতিয়া তেওঁ লগে লগে উটৰ পৰা নামিল। ৬৫ আৰু সেই দাসক
তেওঁ সুধিলে, “আমাক সাক্ষাত কৰিবলৈ পথাৰৰ মাজেদি খোজকাঢ়ি
আহি থকা সেইজন কোন?” সেই দাসে ক’লে, “এইজন মোৰ প্ৰভু।”
তেতিয়া ৰিবেকাই ওৰণি ল’লে আৰু নিজকে ঢাকিলে। ৬৬ পাছত সেই
দাসে নিজে কৰা সকলো কাৰ্যৰ কথা ইচহাকক জনালে। ৬৭ তেতিয়া
ইচহাকে নিজ মাতৃ চাৰাৰ তম্বুলৈ ৰিবেকাক লৈ গ’ল আৰু ইচহাকে
তেওঁক গ্ৰহণ কৰিলে, তাতে ৰিবেকা তেওঁৰ ভাৰ্যা হ’ল। আৰু ইচহাকে
তেওঁক প্ৰেম কৰিলে; তাতে তেওঁৰ মাতৃৰ মৰণৰ পাছত, তেওঁ শান্ত্বনা
পালে।

২৫ পাছত অব্ৰাহামে কটুৰা নামৰ আন এগৰাকীক বিয়া কৰিলে।
২ তেওঁৰ ঔৰসত জিম্ৰণ, যক্সন, মদান, মিদিয়ন, যস্বক আৰু চুহৰ
জন্ম হ’ল। ৩ যক্সনৰ সন্তান চিবা আৰু দদান। অচুৰীয়া, লটুচীয়া,
লিয়ুম্মীয়া, এইকেইজন দদানৰ সন্তান। ৪ মিদিয়নৰ সন্তান ঐফা,
এফৰ, হনোক, অবীদা আৰু ইলদায়া। এই আটাইকেইজন আছিল
সেই কটুৰাৰ বংশধৰ। ৫ অব্ৰাহামে নিজৰ সৰ্ব্বস্বৰ ওপৰত ইচহাকক
অধিকাৰ দিলে। ৬ কিন্তু উপপত্নীৰ সন্তান সকলকো তেওঁ জীৱিত
কালত অলপ অলপ দানস্বৰূপে দিলে। এই সন্তান সকলক তেওঁ তেওঁৰ
পুত্ৰ ইচহাকৰ ওচৰৰ পৰা দূৰ কৰি পূবফালৰ দেশলৈ পঠাই দিলে। ৭
অব্ৰাহাম মুঠ 175 বছৰ জীয়াই আছিল। ৮ অব্ৰাহামে সম্পূৰ্ণ আয়ুস
পাই এক উত্তম বৃদ্ধ অৱস্থাত মৃত্যু বৰণ কৰিলে আৰু তেওঁ ওপৰ
পিতৃসকলৰ ওচৰলৈ গ’ল। ৯ মম্রি চহৰৰ পূব ফালে হিত্তীয়া চোহৰৰ
পুত্ৰ ইফ্ৰোণৰ পথাৰত মকপেলাৰ গুহাত পুত্ৰ ইচহাক আৰু ইশ্মায়েলে
একেলগে অব্ৰাহামক মৈদাম দিলে। ১০ সেই পথাৰ অব্ৰাহামে হেতৰ
সন্তানসকলৰ পৰা কিনিছিল; তাতেই অব্ৰাহামে চাৰাক মৈদাম দিছিল
আৰু তাতে অব্ৰাহামকো মৈদাম দিয়া হ’ল। ১১ অব্ৰাহামৰ মৃত্যুৰ
পাছত ঈশ্বৰে তেওঁৰ পুত্ৰ ইচহাকক আশীৰ্ব্বাদ কৰিলে; আৰু ইচহাকে
বেৰ-লহয়-ৰোৱীৰ ওচৰত বসবাস কৰিবলৈ ধৰিলে। ১২ চাৰাৰ দাসী
মিচৰীয়া হাগাৰে অব্ৰাহামলৈ যি পুত্ৰ জন্ম দিছিল, অব্ৰাহামৰ সেই
পুত্ৰ ইশ্মায়েলৰ বংশৰ বিৱৰণ এই। ১৩ জন্ম অনুসাৰে ইশ্মায়েলৰ

বংশধৰসকলৰ নাম হ'ল: ইশ্মায়েলৰ জ্যেষ্ঠ পুত্ৰ নবায়োৎ, তেওঁৰ
পাছত কেদৰ, অদবেল, মিবচম, ১৪ মিস্মা, দুমা, মচ্ছা ১৫ হদদ,
তেমা, যটূৰ, নাফীচ আৰু কেদ্মা; ১৬ ইশ্মায়েলৰ এই বাৰজন পুত্ৰই
আছিল তেওঁলোকৰ ফৈদৰ মূলসূঁতি আৰু তেওঁলোকৰ নাম অনুসাৰেই
গাওঁ আৰু ছাউনিবোৰৰ নাম ৰখা হৈছিল। ১৭ ইশ্মায়েল 137 বছৰ
জীয়াই আছিল। পাছত তেওঁ মৃত্যু বৰণ কৰিলে আৰু নিজৰ মৃত
পূৰ্বপুৰুষসকলৰ ওচৰলৈ তেওঁক নিয়া হ'ল। ১৮ হবীলাৰ পৰা চূৰ পৰ্যন্ত
যি ঠাই আছিল, তেওঁৰ বংশৰ লোকসকলে তাতে বাস কৰিছিল। এই
ঠাইখিনি আছিল মিচৰ দেশৰ কাষত অচুৰলৈ যোৱাৰ পথত। এইদৰে
তেওঁলোকে নিজৰ শত্ৰুসকলৰ ওচৰত বসতি কৰিবলৈ ঠাই পালে। ১৯
অব্ৰাহামৰ পুত্ৰ ইচহাকৰ বিৱৰণ এই। অব্ৰাহামৰ পুত্ৰৰ নাম ইচহাক।
২০ ইচহাকে চল্লিশ বছৰ বয়সত ৰিবেকাক পত্নীৰূপে গ্ৰহণ কৰে।
ৰিবেকা আছিল পদ্দন-অৰাম দেশৰ অৰামীয়া বথোৱেলৰ জীয়েক আৰু
অৰামীয়া লাবনৰ ভনীয়েক। ২১ ইচহাকৰ ভাৰ্যা নিঃসন্তান আছিল
বাবে ইচহাকে তেওঁৰ বাবে যিহোৱাৰ ওচৰত প্ৰাৰ্থনা কৰিলে; তাতে
যিহোৱাই তেওঁৰ প্ৰাৰ্থনা শুনিলে আৰু তেওঁৰ ভাৰ্যা ৰিবেকা গৰ্ভৱতী
হ'ল। ২২ তেওঁৰ গৰ্ভত যমজ সন্তান আছিল আৰু সিহঁতে ইটোৱে
সিটোক ঠেলা-ঠেলি কৰিব ধৰিলে; সেয়ে ৰিবেকাই ক'লে, "মোৰ কিয়
এনেকুৱা হৈছে?" এইবুলি কাৰণটোনো কি তাক জানিবলৈ তেওঁ
যিহোৱাক সুধিবলৈ গ'ল। ২৩ যিহোৱাই তেওঁক ক'লে, "তোমাৰ গৰ্ভত
দুটা ভিন্ন জাতি আছে, আৰু তোমাৰ উদৰৰ পৰাই দুই জাতি বাহিৰ হৈ
বেলেগ হ'ব; এক জাতি আন জাতিতকৈ পৰাক্ৰমী হ'ব, আৰু বৰটো
সৰুটোৰ দাস হ'ব।" ২৪ যেতিয়া সন্তান প্ৰসৱৰ কাল সম্পূৰ্ণ হ'ল, সঁচাই
তেওঁৰ গৰ্ভত এহাল যঁজা সন্তান আছিল। ২৫ তাৰে প্ৰথমটো ৰঙা
আৰু গোটেই গা নোমাল বস্ত্ৰৰ নিচিনা নোমাল হৈ ওলাল; এই কাৰণে
তেওঁলোকে তাৰ নাম এচৌ ৰাখিলে। ২৬ তাৰ পাছত এচৌৰ গোৰোৱা
ধৰা অৱস্থাৰে তাৰ ভায়েকৰ জন্ম হ'ল; তাৰ নাম যাকোব ৰখা হ'ল।
ইচহাকৰ ষাঠি বছৰ বয়সত তেওঁৰ ভাৰ্য্যাই সিহঁতক জন্ম দিলে। ২৭
এই ল'ৰা দুটি ডাঙৰ হোৱাৰ পাছত এচৌ এজন নিপুণ চিকাৰী হ'ল।

তেওঁ বনে বনে ঘূৰি ফুৰিছিল। কিন্তু যাকোব আছিল শান্ত স্বভাৱৰ।
তেওঁ তম্বুত থাকিয়েই সময় কটাইছিল। ২৮ চিকাৰ কৰা মঙহ খাবলৈ
পোৱাৰ কাৰণে ইচহাকে এচৌক স্নেহ কৰিছিল, কিন্তু ৰিবেকাই হ'লে
যাকোবকহে স্নেহ কৰিছিল। ২৯ এদিনাখন যাকোবে দাইল ৰান্ধিছিল;
তেনে সময়তে এচৌ পথাৰৰ পৰা উলটি আহিছিল আৰু তেওঁ বৰ ক্লান্ত
হৈ পৰিছিল। ৩০ তেওঁ যাকোবক ক'লে, "মই বৰ ক্লান্ত। অনুগ্ৰহ কৰি
তোমাৰ সেই ৰঙা বস্তুৰ কিছু মোক খাবলৈ দিয়া।" এই কথাৰ কাৰণে
এচৌৰ নাম ইদোম [ৰঙা] হ'ল। ৩১ তেতিয়া যাকোবে ক'লে, "প্ৰথমে
ডাঙৰ ল'ৰা হিচাবে তোমাৰ যি অধিকাৰ আছে, সেয়া আজি মোক
বেচা।" ৩২ তাতে, এচৌৱে ক'লে, "চোৱা, মোৰ প্ৰাণ যাওঁ যাওঁ যেন
হৈছে, সেয়ে জেষ্ঠাধিকাৰত মোৰ কি লাভ?" ৩৩ যাকোবে ক'লে,
"আগেয়ে তুমি মোৰ আগত শপত খোৱা।" তাতে এচৌৱে তেওঁৰ
আগত শপত খাই নিজৰ জেষ্ঠাধিকাৰ যাকোবক বেচিলে। ৩৪ তেতিয়া
যাকোবে এচৌক পিঠা আৰু মচুৰ দাইল খাবলৈ দিলে; তাতে তেওঁ
খাই উঠি গুচি গ'ল। এইদৰে এচৌৱে নিজৰ জেষ্ঠাধিকাৰ হেয়জ্ঞান
কৰিলে।

**২৬** অব্ৰাহামৰ দিনত হোৱা প্ৰথম আকালৰ দৰে সেই দেশত
পুনৰায় আকাল হোৱাত, ইচহাকে গৰাৰলৈ, পলেষ্টীয়াসকলৰ ৰজা
অবীমেলকৰ ওচৰলৈ গ'ল। ২ পাছত যিহোৱাই তেওঁক দৰ্শন দি
ক'লে, "তুমি মিচৰ দেশলৈ নামি নাযাবা; যি দেশৰ কথা মই তোমাক
ক'ম, তাতে থাকিবা। ৩ তুমি এই দেশতে প্ৰবাস কৰা; তাতে মই
তোমাৰ সঙ্গী হৈ তোমাক আশীৰ্ব্বাদ কৰিম; কিয়নো এই সকলো দেশ
তোমাক আৰু তোমাৰ বংশকেই দিম, মই তোমাৰ পিতৃ অব্ৰাহামলৈ
কৰা শপত সাফল কৰিম। ৪ মই আকাশৰ তৰাবোৰৰ দৰে তোমাৰ
বংশ বঢ়াই, তোমাৰ বংশক এই সকলো দেশ দিম; আৰু তোমাৰ
বংশতে পৃথিৱীৰ সমুদায় জাতি আশীৰ্ব্বাদ প্ৰাপ্ত হ'ব; ৫ কিয়নো
অব্ৰাহামে মোৰ কথা মানি, মোৰ আজ্ঞা আৰু বিধি-ব্যৱস্থাবোৰ পালন
কৰিছিল।" ৬ সেইবাবে ইচহাকে গৰাৰত বসবাস কৰিছিল। ৭ সেই
ঠাইৰ লোকসকলে ইচহাকৰ ভাৰ্যাৰ কথা সোধাত, "তেওঁ মোৰ ভনী

বুলি ক'লে।" ৰিবেকা বৰ সুন্দৰী, ইয়াৰ মানুহবোৰে ৰিবেকাক পাবলৈ কিজানি মোক বধ কৰে এই কাৰণে "মোৰ ভাৰ্য্যা বুলি" পৰিচয় নিদিলে। ৮ পাছত তেওঁ সেই ঠাইত ভালেমান দিন থাকিল, এদিন পলেষ্টীয়াসকলৰ ৰজা অবীমেলকে খিড়িককিদি চাই, ইচহাকক তেওঁৰ ভাৰ্যা ৰিবেকাই সৈতে ক্ৰীড়া কৰিবৰ দেখিলে। ৯ তাতে অবীমেলকে ইচহাকক মাতি আনি ক'লে তুমি তেওঁৰ লগত কি কৰি আছিলা? "সেই মহিলা গৰাকী নিশ্চয়ে তোমাৰ ভাৰ্যা; তেন্তে তুমি ভনী বুলি কেনেকৈ ক'লা? ইচহাকে ক'লে, তেওঁৰ কাৰণে মই মৰিম বুলি ভাবি সেইদৰে কৈছিলোঁ।" ১০ তেতিয়া অবীমেলকে ক'লে, "তুমি আমালৈ এইটো কি কাম কৰিলা? লোকসকলৰ মাজৰ কোনো এজনে তোমাৰ ভাৰ্যাৰে সৈতে অনায়েসে শয়ন কৰিব পাৰিলেহেঁতেন; সেয়ে হোৱা হ'লে তুমি আমাক দোষী সাব্যস্ত কৰিলাহেঁতেন।" ১১ পাছত অবীমেলকে সকলো লোকক এই আজ্ঞা দি সাবধান কৰি ক'লে, "যি কোনোৱে এই পুৰুষ বা তেওঁৰ ভাৰ্যাক স্পৰ্শ কৰিব, নিশ্চয়ে তাৰ প্ৰাণদণ্ড হ'ব।" ১২ সেই কালত ইচহাকে সেই দেশত ধান ৰোপণ কৰি, সেই একে বছৰতেই এশ গুণ পালে; আৰু যিহোৱাই তেওঁক আশীৰ্ব্বাদ কৰিলে আৰু তেওঁ বৰ মানুহ হ'ল; ১৩ আৰু ইচহাক বৰ ধনী হৈ হৈ, ক্ৰমেৰে অতিশয় মহান ব্যক্তি হ'ল। ১৪ আৰু তেওঁৰ অনেক পশুধন আৰু অনেক দাস-দাসী হ'ল। এইকাৰণে পলেষ্টীয়াসকলে তেওঁক ঈৰ্ষা কৰিলে। ১৫ ইচহাকৰ পিতৃ অব্ৰাহামৰ দিনত, অব্ৰাহামৰ বন্দীবোৰে যি যি নাদ খান্দিছিল, সেই সকলোকে পলেষ্টীয়াসকলে মাটি দি পুতি বন্ধ কৰিলে। ১৬ পাছত অবীমেলকে ইচহাকক ক'লে, "তুমি আমাৰ ওচৰৰ পৰা গুচি যোৱা কিয়নো তুমি আমাতকৈও অতিশয় ক্ষমতাশালী থ'লো।" ১৭ তেতিয়া ইচহাকে তাৰ পৰা গুচি গৈ, গৰাৰৰ উপত্যকাত তম্বু তৰি তাতেই বাস কৰিলে। ১৮ আৰু তেওঁৰ পিতৃ অব্ৰাহামৰ দিনত খন্দা যি যি পানীৰ নাদ পলেষ্টীয়াসকলে অব্ৰাহামৰ মৃত্যুৰ পাছত পুতি পেলাইছিল, ইচহাকে পুনৰাই সেইবোৰ নাদ খানি উলিয়ালে; আৰু তেওঁৰ পিতৃয়ে দিয়া নামৰ দৰেই, ইচহাকে সেইবোৰৰ নাম দিলে। ১৯ আৰু ইচহাকৰ বন্দীবোৰে সেই উপত্যকা খানি তাত এটা পানীৰ নিজৰাৰ ভূমূক

পালে। ২০ তাতে গৰাৰৰ পশু ৰখীয়াবোৰে ইচহাকৰ পশু ৰখীয়াই
সৈতে বিবাদ কৰি ক'লে, "এই পানী আমাৰ।" এই হেতুকে ইচহাকে
সেই নাদৰ নাম "এচক" ৰাখিলে; কাৰণ সিহঁতে তেওঁৰ লগত বিবাদ
কৰিছিল। ২১ পাছে আৰু এটা নাদ খান্দিলে, সিহঁতে তাৰ নিমিত্তেও
বিবাদ কৰিলে; তাতে ইচহাকে তাৰ নাম "চিত্না" ৰাখিলে। ২২ আকৌ
তেওঁ তাৰ পৰা গৈ, আন এটা নাদ খান্দিলে। তাৰ নিমিত্তে হ'লে
সিহঁতে বিবাদ নকৰিলে; তাতে তেওঁ তাৰ নাম ৰহোবোৎ ৰাখি ক'লে,
"এতিয়াহে যিহোৱাই আমাক বহল ঠাই দিছে; এতেকে আমি দেশত
বৃদ্ধি হ'ম।" ২৩ তাৰ পাছত ইচহাক তাৰ পৰা বেৰ-চেবালৈ গ'ল। ২৪
সেই ৰাতিয়েই যিহোৱাই তেওঁক দৰ্শন দি ক'লে, "মই তোমাৰ পিতৃ
অব্ৰাহামৰ ঈশ্বৰ, ভয় নকৰিবা; কিয়নো মই তোমাৰ সঙ্গী হৈ তোমাক
আশীৰ্ব্বাদ কৰিম আৰু মোৰ নিজ দাস অব্ৰাহামলৈ চাই তোমাৰ বংশ
বৃদ্ধি কৰিম।" ২৫ পাছত ইচহাকে সেই ঠাইতে এটা যজ্ঞ-বেদি নিৰ্ম্মাণ
কৰি যিহোৱাৰ নামেৰে প্ৰাৰ্থনা কৰিলে আৰু তাতে নিজ তম্বু তৰিলে।
পাছে ইচহাকৰ বন্দীহঁতে তাত এটা নাদ খান্দিলে। ২৬ তেতিয়া
অবীমেলকে অহুজ্জৎ নামেৰে নিজৰ এজন বন্ধুক আৰু তেওঁৰ প্ৰধান
সেনাপতি ফীখোলকো লগত লৈ, গৰাৰৰ পৰা ইচহাকৰ ওচৰলৈ গ'ল।
২৭ তাতে ইচহাকে তেওঁলোকক ক'লে, "তোমালোকে মোক ঘিণ কৰি
তোমালোকৰ ওচৰৰ পৰা খেদি পঠালা; এতিয়া নো তোমালোক মোৰ
ওচৰলৈ কেলৈ আহিছা?" ২৮ তাতে তেওঁলোকে ক'লে, "যিহোৱা
যে তোমাৰ সঙ্গী, তাক আমি জানিলোঁ তোমাৰ আৰু আমাৰ মাজত
এক শপত হ'বলৈ, ২৯ আমি যেনেকৈ তোমাক স্পৰ্শ কৰা নাই, বৰং
শান্তিৰে বিদায় কৰিছিলোঁ, তেনেকৈ তুমিও যাতে আমাক হিংসা
নকৰা, এয়ে তোমাৰে সৈতে এটা নিয়ম স্থাপন কৰিলোঁ; তুমি এতিয়া
যিহোৱাৰ আশীৰ্ব্বাদ প্ৰাপ্ত থ'লো।" ৩০ তেতিয়া ইচহাকে তেওঁলোকলৈ
ভোজ যুগুত কৰিলে আৰু তেওঁলোকে ভোজন-পান কৰিলে। ৩১ পাছত
তেওঁলোক দুজনে নিচেই ৰাতিপুৱাতে উঠি, ইজনে সিজনৰ আগত
শপত কৰিলে আৰু ইচহাকে তেওঁলোকক বিদায় কৰিলে, তেওঁলোক
শান্তিৰে তেওঁৰ ওচৰৰ পৰা গুচি গ'ল। ৩২ আৰু সেই দিনাই ইচহাকৰ

দাসবোৰে আহি সিহঁতে খন্দা এটা নাদৰ বিষয়ে তেওঁক সম্বাদ দিলেহি
বোলে “আমি পানী পালোঁ।” ৩৩ তাতে তেওঁ সেই নাদৰ নাম চিবিয়া
ৰাখিলে; এই হেতুকে আজিলৈকে সেই নগৰৰ নাম বেৰ-চেবা বুলি
প্ৰখ্যাত। ৩৪ পাছত এচৌৱে 40 বছৰ বয়সত, হিত্তীয়া বেৰীৰ জীয়েক
যিহূদিৎ আৰু হিত্তীয়া এলোনৰ জীয়েক বাচমতক বিয়া কৰিলে। ৩৫
কিন্তু ইহঁত দুজনী ইচহাক আৰু ৰিবেকাৰ মনত দুখ দিওঁতা হ’ল।

২৭ ইচহাক ক্ৰমে বৃদ্ধ হ’ল; তাতে চকুৰ দৃষ্টিশক্তি দুৰ্ব্বল হোৱাত
তেওঁ চকুৰে মনিব নোৱাৰা হ’ল; এদিন তেওঁ বৰ পুতেক এচৌক
মাতি ক’লে, “বোপা।” এচৌৱে উত্তৰ দিলে, “মই ইয়াতে আছোঁ।” ২
তেতিয়া ইচহাকে ক’লে, “চোৱা, মই বৃদ্ধ হৈছোঁ আৰু কোন দিনা যে
মৰিম, তাকো নাজানো। ৩ সেয়ে, তোমাৰ অস্ত্ৰ-শস্ত্ৰ, তীৰ-ধনু লৈ
চিকাৰলৈ যোৱা আৰু মোৰ বাবে পহু মাৰি আনাগৈ। ৪ মৃত্যুৰ আগতে
মই তোমাক আশীৰ্ব্বাদ কৰি যাবৰ কাৰণে মই ভাল পোৱা সু-স্বাদু
আহাৰ মোলৈ যুগুত কৰি আনা।” ৫ তাৰ পাছত এচৌৱে পহু মাৰি
আনিবৰ বাবে চিকাৰলৈ গ’ল। ইচহাকে যেতিয়া এইবোৰ কথা তেওঁৰ
পুত্ৰ এচৌক কৈছিল, তেতিয়া ৰিবেকাই শুনি আছিল। ৬ ৰিবেকাই
তেওঁৰ প্ৰিয়পুত্ৰ যাকোবক ক’লে, “চোৱা, তোমাৰ পিতৃয়ে তোমাৰ
ককায়েৰা এচৌক এইবুলি কোৱা মই শুনা পালোঁ; ৭ ‘মোৰ মৃত্যুৰ
আগতে, তোমাক যিহোৱাৰ উপস্থিতিত আশীৰ্ব্বাদ কৰি যাবৰ কাৰণে
তুমি পহু মাৰি আনি মোৰ বাবে সু-স্বাদু আহাৰ যুগুত কৰা।’ ৮ সেয়ে
বোপা, এতিয়া মই যি কথা কওঁ, তাক মানি তুমি সেইদৰে কৰা। ৯
তুমি পশুৰ জাকলৈ গৈ, তাৰ পৰা দুটা উত্তম ছাগলী পোৱালি মোৰ
ওচৰলৈ লৈ আনা; তাৰে মই তোমাৰ পিতৃয়ে যেনেকৈ ভাল পায়,
তেনেদৰেই সু-স্বাদু আহাৰ তেওঁৰ কাৰণে ৰান্ধি দিম। ১০ মৃত্যুৰ
পূৰ্বেই তোমাক আশীৰ্ব্বাদ কৰিবৰ কাৰণে, সেই আহাৰ তুমি পিতৃক
খোৱাবলৈ তেওঁৰ কাষলৈ লৈ যাবা।” ১১ তেতিয়া যাকোবে তেওঁৰ মাক
ৰিবেকাক ক’লে, “মোৰ ককাই এচৌ এজন নোমাল মানুহ; কিন্তু মই
হ’লে এজন মসৃণ ছালৰ মানুহ। ১২ কিজানি মোৰ পিতৃয়ে মোক চুই
চাব আৰু তেওঁৰ আগত মই এজন প্ৰবঞ্চক হ’ম; তাতে মই নিজলৈ

আশীৰ্ব্বাদ নানি এক অভিশাপহে আনিম।” ১৩ তাতে মাকে তেওঁক
ক'লে, “মোৰ বোপা, সেই শাও মোৰ ওপৰতে পৰক; তুমি কেৱল
মোৰ কথা মানি ছাগলী আনাগৈ।” ১৪ তেতিয়া যাকোবে গৈ ছাগলী
পোৱালিবোৰ আনি মাকক দিলেহি আৰু মাকে তেওঁৰ পিতৃয়ে ভাল
পোৱাকৈ সু-স্বাদু আহাৰ যুগুত কৰিলে। ১৫ তাৰ পাছত ৰিবেকাই
তেওঁৰ ওচৰত ঘৰতে থকা বৰ পুতেক এচৌৰ আটাইতকৈ উত্তম
বস্ত্ৰ লৈ সৰু পুতেক যাকোবক পিন্ধালে। ১৬ যাকোবৰ হাত আৰু
ডিঙিৰ মসৃণ অংশত সেই ছাগলী পোৱালি দুটাৰ ছালবোৰ লগাই
দিলে ১৭ সেই সু-স্বাদু আহাৰ আৰু পিঠা নিজে যুগুত কৰা তেওঁৰ
পুত্ৰ যাকোবৰ হাতত দিলে। ১৮ যাকোবে পিতৃৰ ওচৰলৈ গৈ মাত
দিলে, “হে মোৰ পিতৃ।” ইচহাকে ক'লে, “মই ইয়াতে আছোঁ; বোপা,
তুমিনো কোন?” ১৯ যাকোবে পিতৃক ক'লে, “মই আপোনাৰ বৰ পুত্ৰ
এচৌ; আপুনি মোক কোৱাৰ দৰে মই কৰিলোঁ; এতিয়া উঠি বহক আৰু
মাংস ভোজন কৰক যাতে আপুনি মোক আশীৰ্ব্বাদ কৰিব পাৰে।” ২০
তেতিয়া ইচহাকে নিজ পুত্ৰক সুধিলে, “বোপা, তুমি কেনেকৈ তাক
ইমান সোনকালে পালা?” তেওঁ ক'লে, “কিয়নো আপোনাৰ ঈশ্বৰ
যিহোৱায়েই তাক মোলৈ আনিলে।” ২১ ইচহাকে যাকোবক পুনৰ
ক'লে, “মোৰ ওচৰলৈ চাপি আহাঁ বোপা; তুমি সঁচায়েই মোৰ পুত্ৰ
এচৌ হোৱানে নোহোৱা, তাক জানিবলৈ মই তোমাক যেন চুই চাব
পাৰোঁ।” ২২ তাতে যাকোবে তেওঁৰ পিতৃ ইচহাকৰ ওচৰলৈ চাপি গ'ল;
তেতিয়া ইচহাকে তেওঁক চুই চাই ক'লে, “মাত-কথা যাকোবৰ, কিন্তু
হাত হ'লে এচৌৰ।” ২৩ ইচহাকে যাকোবক চিনি নাপালে, কাৰণ
তেওঁৰ হাত দুখন ককায়েক এচৌৰ হাতৰ দৰে নোমাল আছিল।
সেয়ে ইচহাকে যাকোবক আশীৰ্ব্বাদ কৰিলে। ২৪ তেওঁ ক'লে, “তুমি
সচাঁকৈয়ে মোৰ পুত্ৰ এচৌ হোৱানে?” যাকোবে ক'লে, “হয়, মইয়ে
হওঁ।” ২৫ তেতিয়া ইচহাকে ক'লে, “মোৰ ওচৰলৈ আহাৰখিনি আনা;
তুমি চিকাৰ কৰি অনা মাংস খাই মই তোমাক আশীৰ্ব্বাদ কৰোঁ।”
তাতে যাকোবে আহাৰখিনি আনি দিলে আৰু ইচহাকে তাক ভোজন
কৰিলে। তাৰ পাছত যাকোবে দ্ৰাক্ষাৰসো আনি দিয়াত, তেওঁ তাকো

পান কৰিলে। ২৬ তাৰ পাছত তেওঁৰ পিতৃ ইচহাকে তেওঁক ক'লে,
"বোপা, ওচৰলৈ আহি তুমি মোক চুমা খোৱাহি।" ২৭ যাকোবে ওচৰলৈ
গৈ ইচহাকক চুমা খালে আৰু ইচহাকে তেওঁৰ গাৰ কাপোৰৰ গোন্ধ
পাই তেওঁক আশীৰ্ব্বাদ কৰি ক'লে, "চোৱা, মোৰ পুত্ৰৰ গোন্ধ যিহোৱাই
আশীৰ্ব্বাদ কৰা এক ক্ষেত্ৰৰ দৰে এই গোন্ধ। ২৮ ঈশ্বৰে যেন তোমাক
আকাশৰ নিয়ৰৰ এক অংশ দিয়ে, পৃথিৱীৰ উৰ্ব্বৰতাৰ এক অংশ
দিয়ে, আৰু প্ৰচুৰ শস্য আৰু নতুন দ্ৰাক্ষাৰস দিয়ে। ২৯ লোক সকলে
তোমাৰ সেৱা কৰক আৰু জাতিবোৰে তোমাৰ আগত প্ৰণিপাত কৰক।
তোমাৰ ভাইসকলৰ ওপৰত তুমি প্ৰভুত্ব কৰা, আৰু তোমাৰ মাতৃৰ
সন্তান সকলে তোমাক প্ৰণিপাত কৰক। যিসকলে তোমাক শাও দিব,
তেওঁলোক অভিশপ্ত হওঁক; যিসকলে তোমাক আশীৰ্ব্বাদ কৰিব,
তেওঁলোক আশীৰ্ব্বাদ প্ৰাপ্ত হওঁক।" ৩০ ইচহাকে যাকোবক আশীৰ্ব্বাদ
দি শেষ কৰিলে আৰু যাকোবে তেওঁৰ পিতৃ ইচহাকৰ ওচৰৰ পৰা
বাহিৰ হৈ যোৱা মাত্ৰকেই, তেওঁৰ ককায়েক এচৌ চিকাৰৰ পৰা ঘূৰি
আহি পালেহি। ৩১ তেৰোঁ সুস্বাদু আহাৰ ৰান্ধি বাপেকৰ ওচৰলৈ
আনি ক'লে, "হে পিতৃ, উঠক আৰু আপোনাৰ পুত্ৰই চিকাৰ কৰি অনা
মাংস ভোজন কৰি মোক আশীৰ্ব্বাদ কৰক।" ৩২ তেতিয়া তেওঁৰ
পিতৃ ইচহাকে তেওঁক সুধিলে, "তুমি কোন?" এচৌৱে ক'লে, "মই
আপোনাৰ বৰপুত্ৰ এচৌ।" ৩৩ এই কথা শুনি ইচহাকৰ শৰীৰত কঁপনি
উঠিল। তেওঁ সুধিলে, "তেন্তে যিটোৱে মোৰ ওচৰলৈ চিকাৰৰ মঙহ
আনিছিল, সি কোন? তুমি অহাৰ আগেয়েই মই সেই সকলোকে খালোঁ
আৰু তাক আশীৰ্ব্বাদো কৰিলোঁ; সেই আশীৰ্বাদৰ ফলও অৱশ্যেই
সিয়ে পাব।" ৩৪ বাপেকৰ এই কথা শুনি এচৌ শোকত ভাগি পৰিল
আৰু হুৰাওৰাৱে কান্দি কান্দি বাপেকক ক'লে, "পিতৃ, মোক, মোকো
আশীৰ্ব্বাদ কৰক।" ৩৫ তেওঁ ক'লে, "তোমাৰ ভায়েৰাই আহি ছল কৰি
তুমি পাবলগীয়া আশীৰ্ব্বাদ লৈ গ'ল।" ৩৬ তেতিয়া এচৌৱে ক'লে,
"তাক দিয়া যাকোব নামটো স্বৰূপেই সঠিক হোৱা নাই নে? কিয়নো
এইবাৰকে লৈ দুবাৰ সি মোৰ অধিকাৰ ছল কৰি ললে; ডাঙৰ ল'ৰা
হিচাবে মোৰ যি জ্যেষ্ঠ অধিকাৰ, তাক সি ল'লে আৰু চাওঁক, এতিয়া

মোৰ আশীৰ্ব্বাদো লৈ গ'ল।" এচৌৱে আকৌ ক'লে, "মোৰ কাৰণে আপুনি একো আশীৰ্ব্বাদ ৰখা নাই নে?" ৩৭ তেতিয়া ইচহাকে এচৌক উত্তৰ দি ক'লে, "চোৱা, মই তাক তোমাৰ ওপৰত প্ৰভু পাতিলোঁ আৰু তাৰ জ্ঞাতি-ভাইসকলক তাৰেই দাস কৰিলোঁ; মই তাক শস্য আৰু নতুন দ্ৰাক্ষাৰস দিলোঁ; ইয়াৰ পিছত বোপা, মইনো তোমাৰ অৰ্থে আৰু কি কৰিব পাৰোঁ?" ৩৮ তেতিয়া এচৌৱে আকৌ বাপেকক কাকুতি-মিনতি কৰি ক'লে, "হে পিতৃ, মোৰ কাৰণে আপোনাৰ ওচৰত এটাও আশীৰ্বাদ নাইনে? হে মোৰ পিতৃ, আপুনি মোক, মোকো আশীৰ্ব্বাদ কৰক।" এইদৰে কৈ এচৌৱে বৰকৈ কান্দিব ধৰিলে। ৩৯ পাছে তেওঁৰ বাপেক ইচহাকে উত্তৰ দি ক'লে, "চোৱা, যি ঠাইত তুমি বাস কৰিবা সেই ভূমি উৰ্বৰ নহ'ব; তাত আকাশৰ পৰা নিয়ৰ নপৰিব। ৪০ তুমি নিজৰ তৰোৱালৰ দ্বাৰাই জীবা, তুমি তোমাৰ ভাইৰ সেৱা কৰিবা; কিন্তু যেতিয়া তুমি বিদ্ৰোহী হৈ উঠিবা, তেতিয়া তুমি তোমাৰ ডিঙিৰ পৰা তাৰ যুৱলি জোকাৰি পেলাবা।" ৪১ পাছত যাকোবে তেওঁৰ পিতৃৰ পৰা আশীৰ্ব্বাদ লাভ কৰাৰ কাৰণে এচৌৱে তেওঁক ঘিণ কৰিবলৈ ধৰিলে। তেওঁ নিজ মনতে ক'লে, "মোৰ পিতৃৰ বাবে শোকৰ দিন ওচৰ চাপি আহিছে; তাৰ পাছতে মই মোৰ ভাই যাকোবক বধ কৰিম।"
৪২ বৰপুতেক এচৌৰ এই সকলো কথা ৰিবেকাই জানিব পাৰিলে আৰু সেয়ে তেওঁ মানুহ পঠাই সৰু পুতেক যাকোবক মতাই আনি ক'লে, "শুনা, তোমাৰ ককায়েৰা এচৌৱে তোমাক বধ কৰাৰ মন্ত্ৰণাৰে নিজকে নিজে শান্ত্বনা দিছে। ৪৩ সেইবাবে বোপা, তুমি মোৰ কথা শুনা। এতিয়া তুমি হাৰণত থকা মোৰ ককাই লাবনৰ ওচৰলৈকে পলাই যোৱা। ৪৪ তোমাৰ ককাইৰ খং মাৰ নেযায় মানে তুমি তেওঁৰ লগতে কিছুদিন থাকাগৈ। ৪৫ তোমাৰ প্ৰতি তোমাৰ ককায়েৰাৰ খং মাৰ নোযোৱা পৰ্যন্ত আৰু তুমি তেওঁলৈ যি কৰিলা তাক তেওঁ পাহৰি নোযোৱালৈকে তুমি তেওঁৰ লগত কিছুদিন থাকা; পাছত মানুহ পঠাই মই তোমাক তাৰ পৰা ঘূৰাই আনিম; কিয় মই একেদিনাই তোমালোক দুয়োকো হেৰুৱাম?" ৪৬ পাছত ৰিবেকাই ইচহাকক ক'লে, "এই হিত্তীয়া ছোৱালীবোৰৰ কাৰণে মোৰ আৰু জীয়াই থাকিবলৈ ইচ্ছা

নোহোৱা হৈছে। তাৰ উপৰি যাকোবেও যদি এই দেশৰে কোনো
হিত্তীয়া ছোৱালী বিয়া কৰে, তেন্তে মই জীয়াই থকাৰ কি লাভ?”

**২৮** ইচহাকে যাকোবক মাতি আশীৰ্ব্বাদ কৰিলে আৰু এই আজ্ঞা
দিলে, “তুমি কনান দেশৰ কোনো ছোৱালী বিয়া নকৰিবা। ২ তুমি
উঠি পদ্দন-অৰাম দেশত তোমাৰ মাতৃৰ পিতৃগৃহ বথোৱেলৰ ঘৰলৈ
যোৱা। তাৰ পৰা তোমাৰ মোমায়েৰা লাবনৰ জীয়েকহঁতৰ মাজৰ
কোনো এজনীক বিয়া কৰি আনাগৈ। ৩ সৰ্ব্বশক্তিমান ঈশ্বৰে তোমাক
আশীৰ্ব্বাদ কৰক আৰু বহুবংশ কৰি বৃদ্ধি কৰক। তোমাক অনেক
জাতি সমূহৰ পিতৃ হোৱাৰ ক্ষমতা দিয়ক। ৪ যি আশীৰ্ব্বাদ ঈশ্বৰে
অব্ৰাহামক দিছিল, সেই আশীৰ্বাদ তেওঁ তোমাক আৰু তোমাৰ পাছত
তোমাৰ বংশৰ লোকসকলক দান কৰক। যি দেশ ঈশ্বৰে অব্ৰাহামক
দিছিল আৰু য'ত তুমি বাস কৰি আছা, সেই দেশ তোমাৰ অধিকাৰলৈ
আহক।” ৫ এইদৰে ইচহাকে যাকোবক পঠাই দিলে আৰু যাকোবেও
পদ্দন-অৰামৰ অৰামীয়া বথোৱেলৰ পুত্ৰ লাবনৰ ওচৰলৈ গ'ল। লাবন
যাকোব আৰু এচৌৰ মাক ৰিবেকাৰ ককায়েক আছিল। ৬ পাছত
এচৌৱে জানিলে যে ইচহাকে যাকোবক আশীৰ্ব্বাদ কৰি পদ্দন-অৰামৰ
পৰা কোনো ছোৱালীক বিয়া কৰি আনিবলৈ পঠাইছে; তেওঁ আৰু
শুনিলে যে ইচহাকে যাকোবক আশীৰ্ব্বাদ দিয়াৰ সময়ত এই আজ্ঞা
দিছিল “তুমি কোনো কনানীয়া ছোৱালীক বিয়া নকৰিবা।” ৭ এচৌৱে
দেখিলে, যাকোবে তেওঁৰ পিতৃ-মাতৃৰ আদেশ মানি পদ্দন-অৰামলৈ
গুচি গ'ল। ৮ তাতে এচৌৱে বুজি পালে যে এই কনানীয়া মহিলাসকলৰ
প্ৰতি তেওঁৰ পিতৃ ইচহাক সন্তুষ্ট নহয়। ৯ সেয়ে দুগৰাকী ভাৰ্য্যা থকাতো
তেওঁ অব্ৰাহামৰ পুতেক ইশ্মায়েলৰ ঘৰলৈ গৈ তেওঁৰ জীয়েক মহলতক
বিয়া কৰিলে। মহলত নবায়োতৰ ভনীয়েক আছিল। ১০ আনফালে
যাকোবে বেৰ-চেবাৰ পৰা ওলাই হাৰণৰ ফালে যাত্ৰা কৰিলে। ১১
এখন ঠাইত বেলি মাৰ যোৱাত তেওঁ সেই ঠাইতে ৰাতিটো কটালে।
সেই ঠাইৰে এটা শিল মূৰৰ তলত লৈ তেওঁ শুই থাকিল। ১২ তেওঁ শুই
থাকোতে সপোনত দেখিলে যে পৃথিৱীৰ ওপৰত এডাল জখলা থিয় হৈ
আছে আৰু তাৰ মূৰটো গৈ স্বৰ্গত লাগি আছে। তেওঁ দেখিলে যে তাৰ

ওপৰেদি ঈশ্বৰৰ দূতবোৰে উঠা-নমা কৰি আছিল আৰু ১৩ যিহোৱাই
খটখটিৰ ওপৰত থিয় হৈ কৈছিল, “মই যিহোৱা। মই তোমাৰ ওপৰ
পিতৃ অব্ৰাহামৰ ঈশ্বৰ আৰু ইচহাকৰো ঈশ্বৰ; তুমি যি ঠাইত শয়ন
কৰিছা, সেই দেশ মই তোমাক আৰু তোমাৰ বংশক দিম। ১৪ তোমাৰ
বংশ পৃথিৱীৰ ধুলিৰ নিচিনা অসংখ্য হ’ব; তুমি পূব, পশ্চিম, উত্তৰ আৰু
দক্ষিণলৈ বিস্তাৰিত হৈ যাবা; পৃথিৱীৰ সমুদায় জাতি, তোমাৰ আৰু
তোমাৰ বংশতে আশীৰ্ব্বাদপ্ৰাপ্ত হ’ব। ১৫ চোৱা, মই তোমাৰ লগত
আছোঁ; তুমি যি যি ঠাইলৈ যাবা, মই তোমাক ৰক্ষা কৰিম আৰু পুনৰায়
মই তোমাক এই দেশলৈ ওলোটাই আনিম; কিয়নো মই তোমাক
কোৱা সকলো কথাকে সিদ্ধ নকৰোঁমানে, মই তোমাক ত্যাগ নকৰিম।”
১৬ যাকোবে টোপনিৰ পৰা সাৰ পাই ক’লে, “তেন্তে যিহোৱা নিশ্চয়কৈ
এই ঠাইত আছে, অথচ মই তাক জনা নাছিলোঁ।” ১৭ তেওঁ ভয়তে
ক’লে, “কি ভয়ানক এই ঠাই! ই ঈশ্বৰৰ গৃহৰ বাহিৰে আন একো নহয়;
ইয়েই স্বৰ্গৰ দুৱাৰ।” ১৮ পাছত যাকোবে অতি ৰাতিপুৱাতে উঠিল আৰু
তেওঁ যি শিল মুৰৰ তলত লৈছিল তাক স্তম্ভৰূপে স্থাপন কৰি ওপৰত
তেল বাকি দিলে। ১৯ তেওঁ সেই ঠাইৰ নাম বৈৎএল ৰাখিলে; কিন্তু
পূৰ্বতে সেই নগৰৰ নাম লুজ আছিল। ২০ যাকোবে সঙ্কল্প কৰি এই
প্ৰতিজ্ঞা কৰিলে, “যদি ঈশ্বৰ মোৰ সঙ্গী হয়, মোৰ এই যাত্ৰাপথত
তেওঁ মোক ৰক্ষা কৰে, যদি তেওঁ মোক অন্ন-বস্ত্ৰও যোগাই দিয়ে, ২১
যদি মই পিতৃৰ ঘৰলৈ পুনৰায় নিৰাপদে ঘূৰি আহিব পাৰোঁ, তেন্তে
এই যিহোৱায়েই মোৰ ঈশ্বৰ হ’ব। ২২ তেতিয়া এই যি শিল মই স্তম্ভ
স্বৰূপে স্থাপন কৰিলোঁ, ই এক পবিত্ৰ শিল হ’ব; আপুনি মোক যি যি
দিব, মই তাৰ দহ ভাগৰ এভাগ আপোনাক ঘূৰাই দিম।”

**২৯** পাছত যাকোবে যাত্ৰা কৰি কৰি পূবদেশীয় লোকসকলৰ দেশ
পালেগৈ। ২ তাত তেওঁ চাৰিওফালে চাই পথাৰৰ মাজত এটা নাদ
দেখা পালে। সেই নাদটোৰ ওচৰত তিনি জাক মেৰ-ছাগ শুই আছিল।
ৰখীয়াবোৰে সেই নাদৰ পৰা জাকবোৰক পানী খুৱায়। নাদটোৰ
মুখত এটা ডাঙৰ শিল আছিল। ৩ যেতিয়া মেৰ-ছাগৰ জাকবোৰ
আহি তাৰ কাষত গোট খায়, তেতিয়া ৰখীয়াবোৰে নাদৰ মুখৰ পৰা

শিলটো আঁতৰাই মেৰ-ছাগবোৰক পানী খুৱায় আৰু তাৰ পাছত পুণৰায় নাদৰ মুখত শিলটো আগৰ দৰে থৈ দিয়ে। ৪ যাকোবে তেওঁলোকক সুধিলে “হে ভাইসকল, আপোনালোক ক’ৰ মানুহ?” তেওঁলোকে ক’লে “আমি হাৰণৰ মানুহ।” ৫ যাকোবে তেওঁলোকক সুধিলে, “আপোনালোকে নাহোৰৰ পো-নাতি লাবনক চিনি পাইনে?” তেওঁলোকে ক’লে, “হয়, আমি চিনি পাওঁ।” ৬ তেওঁ তেওঁলোকক সুধিলে, “তেওঁ ভালে আছেনে?” তেওঁলোকে ক’লে, “হয়, তেওঁ ভালে আছে; সৌৱা চাওঁক, তেওঁৰ জীয়েক ৰাহেলে মেৰ-ছাগৰ জাক লৈ আহিছে।” ৭ যাকোবে ক’লে, “চোৱা, বেলি পৰিবলৈ এতিয়াও বহুত দেৰি আছে; পশুবোৰ এঠাইত গোট খোৱাৰ সময় এতিয়াও হোৱা নাই। আপোনালোকে মেৰ-ছাগবোৰক পানী খুৱাই আকৌ চৰাবলৈ লৈ যাওঁক।” ৮ কিন্তু তেওঁলোকে ক’লে, “আটাইবোৰ পশুৰ জাক একেলগে গোট নাখায় মানে আমি সেইবোৰক পানী খুৱাব নোৱাৰোঁ; পাছত নাদৰ মুখৰ পৰা শিলটো আতৰোৱা হব আৰু তেতিয়াহে আমি মেৰ-ছাগবোৰক পানী খুৱাব পাৰিম।” ৯ যাকোবে তেওঁলোকৰ সৈতে কথাবাৰ্তা হৈ থাকোঁতেই, ৰাহেলে নিজৰ পিতৃৰ মেৰ-ছাগবোৰক লৈ সেই ঠাই পালেহি; কিয়নো তেওঁ সেই জাকবোৰক চৰাইছিল। ১০ যাকোবে নিজৰ মোমায়েক লাবনৰ জীয়েক ৰাহেল আৰু তেওঁৰ মেৰ-ছাগবোৰক দেখি ওচৰ চাপি গ’ল। তেওঁ নাদৰ মুখৰ পৰা শিলচটা আঁতৰাই দি মেৰ-ছাগৰ জাকক পানী খুৱালে। ১১ তাৰ পাছত যাকোবে ৰাহেলক চুমা খাই বৰকৈ কান্দিবলৈ ধৰিলে। ১২ তেওঁ ৰাহেলক জনালে যে, তেওঁ তাইৰ পিতৃৰ আত্মীয়, ৰিবেকাৰ ল’ৰা। তেতিয়া ৰাহেলে দৌৰি গৈ নিজৰ পিতৃক এই কথা জনালে। ১৩ লাবনে নিজৰ ভনীয়েকৰ ল’ৰা যাকোব অহাৰ খবৰ পাই আগবঢ়াই নিবলৈ দৌৰি আহি তেওঁক সাৱটি ধৰি চুমা খালে আৰু নিজৰ ঘৰলৈ লৈ গ’ল। তেতিয়া যাকোবে লাবনক তেওঁ অহাৰ সকলো কথা জনালে। ১৪ লাবনে তেওঁক ক’লে, “তুমি সচাঁকৈয়ে মোৰ শৰীৰৰ হাড় আৰু মঙহৰ লোক।” তাৰ পাছত যাকোব লাবনৰ ঘৰত এমাহ থাকিল। ১৫ এদিন লাবনে যাকোবক ক’লে, “তুমি মোৰ আত্মীয় হোৱা বাবে জানো বিনা

পাৰিশ্ৰমিককেৰে মোৰ সেৱা কৰা উচিত? তুমি কি বেচ লবা, তাক মোক কোৱা।” ১৬ লাবনৰ দুজনী জীয়েক আছিল; তাৰে বৰ জনীৰ নাম লেয়া আৰু সৰু জনীৰ নাম ৰাহেল। ১৭ লেয়াৰ চকু দুটা দুৰ্বল দৃষ্টিশক্তিৰ আছিল; কিন্তু ৰাহেল গঠণত ধুনীয়া আৰু দেখনীয়া আছিল। ১৮ যাকোবে ৰাহেলক প্ৰেম কৰিছিল; সেয়ে তেওঁ ক'লে, "আপোনাৰ সৰু ছোৱালী ৰাহেলৰ কাৰণে মই সাত বছৰ আপোনাৰ সেৱা কৰি দিম।” ১৯ তেতিয়া লাবনে ক'লে, "ৰাহেলক আন কোনো মানুহক দিয়াতকৈ তোমাক দিয়াই ভাল; তুমি মোৰ লগতে থাকা।” ২০ সেয়ে, যাকোবে ৰাহেলৰ কাৰণে সাত বছৰ সেৱা কাৰ্য কৰিলে; ৰাহেলক প্ৰেম কৰাৰ কাৰণেই সেই বছৰবোৰ যাকোবৰ মনত মাত্ৰ অলপ দিন যেন লাগিল। ২১ তাৰ পাছত যাকোবে লাবনক ক'লে, "মোৰ কামৰ কাল পূৰ হৈ গ'ল; গতিকে মই যেন বিবাহত বহিব পাৰোঁ, সেয়ে মোৰ ভাৰ্যাক মোক দিয়ক।” ২২ তেতিয়া লাবনে সেই ঠাইৰ সকলো মানুহক গোটাই এটা ভোজৰ আয়োজন কৰিলে। ২৩ পাছত সন্ধিয়া সময়ত লাবনে তেওঁৰ জীয়েক লেয়াক আনি যাকোবৰ ওচৰত দিলে আৰু যাকোবে লেয়াক শয্যাৰ সঙ্গী কৰিলে। ২৪ লাবনে নিজৰ দাসী জিল্পাক জীয়েক লেয়াক তেওঁৰ দাসী হিচাবে দিলে। ২৫ ৰাতিপুৱা হোৱাত যাকোবে আচৰিত হৈ দেখিলে যে, এওঁ দেখুন লেয়াহে! যাকোবে লাবনক ক'লে, "আপুনি মোলৈ এইটো কি কাম কৰিলে? ৰাহেলৰ কাৰণে মই জানো আপোনাৰ সেৱা কৰা নাছিলো? তেন্তে মোক কিয় ছলনা কৰিলে?” ২৬ তেতিয়া লাবনে ক'লে, "ডাঙৰ জনীৰ আগেয়ে সৰু জনীক বিয়া দিয়া আমাৰ নিয়ম নাই। ২৭ এতিয়া তুমি মোৰ এই ছোৱালীৰ বিবাহৰ উৎসৱ সপ্তাহ পূৰ্ণ কৰা। তুমি আৰু সাত বছৰ মোৰ সেৱা কৰিলে, আমি তোমাক আন জনীও দিম।” ২৮ তেতিয়া যাকোবে সেইদৰেই কৰিলে আৰু লেয়াৰ সপ্তাহো সম্পূৰ্ণ কৰিলে। তাৰ পাছত লাবনে তেওঁৰ জীয়েক ৰাহেলকো তেওঁৰ লগত বিয়া দিলে। ২৯ লাবনে তেওঁৰ দাসী বিলহাকো জীয়েক ৰাহেলক তেওঁৰ দাসী ৰূপে দিলে। ৩০ এইদৰে যাকোবে ৰাহেলকো বিয়া কৰিলে; কিন্তু তেওঁ লেয়াতকৈ ৰাহেলক অধিক প্ৰেম কৰিলে; তাৰ পাছত তেওঁ আৰু সাত

বছৰ খাটি লাবনৰ সেৱা কৰিলে। ৩১ যিহোৱাই লেয়াক অৱহেলা
কৰা দেখি, তেওঁক গৰ্ভধাৰণৰ ক্ষমতা দিলে; কিন্তু ৰাহেল নিঃসন্তান
হ'ল। ৩২ লেয়া গৰ্ভৱতী হৈ এটি পুত্ৰ সন্তানৰ জন্ম দিলে আৰু তাৰ নাম
থলে ৰূবেণ [পুত্ৰক চোৱা]; কিয়নো তেওঁ ক'লে, "যিহোৱাই মোৰ দুখ
দেখিলে, সেয়ে এতিয়া মোৰ স্বামীয়ে মোক প্ৰেম কৰিব।" ৩৩ তাৰ
পাছত লেয়া পুনৰ গৰ্ভৱতী হ'ল আৰু তেওঁৰ এটি পুত্ৰ জন্মিল। তেওঁ
ক'লে, "মোক অৱহেলা কৰাৰ কথা যিহোৱাই শুনিলে আৰু সেয়ে মোক
এই ল'ৰাটিও দিলে।" তেওঁ সেই পুত্ৰৰ নাম চিমিয়োন [শ্ৰৱণ] ৰাখিলে।
৩৪ পুনৰ তেওঁ গৰ্ভৱতী হৈ এটি পুত্ৰ প্ৰসৱ কৰিলে। তেওঁ ক'লে,
"এইবাৰ মোৰ স্বামী মোত আসক্ত হ'ব; কিয়নো মই তেওঁলৈ তিনিটি
পুত্ৰ প্ৰসৱ কৰিলোঁ।" এইবুলি তেওঁ ল'ৰাটোৰ নাম লেবী ৰাখিলে। ৩৫
তাৰ পাছত তেওঁ পুনৰায় গৰ্ভৱতী হৈ এটি পুত্ৰ প্ৰসৱ কৰিলে। তেওঁ
ক'লে, "এইবাৰ মই যিহোৱাৰ প্ৰশংসা কৰিম।" সেয়ে তেওঁ ল'ৰাটোৰ
নাম যিহূদা ৰাখিলে; তাৰ পাছত তেওঁৰ আৰু সন্তান জন্ম নহ'ল।

**৩০** ৰাহেলে যেতিয়া দেখিলে যে তেওঁ যাকোবলৈ কোনো সন্তান
জন্ম দিব পৰা নাই, তেতিয়া বায়েকক হিংসা কৰিবলৈ ধৰিলে। ৰাহেলে
যাকোবক ক'লে, "মোক সন্তান দিয়া, নহ'লে মই মৰিম।" ২ তেতিয়া
ৰাহেললৈ যাকোবৰ অতিশয় খং উঠিল। তেওঁ ক'লে, "যিজনে তোমাক
গৰ্ভফল নিদিয়াকৈ ৰাখিছে, মই সেই ঈশ্বৰ নেকি?" ৩ ৰাহেলে ক'লে,
"চাওঁক, মোৰ দাসী বিলহা আছে; আপুনি তাইৰ সৈতে শয়ন কৰক
যাতে তাই মোৰ কোলাত সন্তান দিব পাৰে আৰু মই তাইৰ দ্বাৰাই
সন্তান লাভ কৰিম।" ৪ তেতিয়া ৰাহেলে তেওঁৰ দাসী বিলহাৰ লগত
যাকোবৰ বিয়া দিলে। ৫ তাতে বিলহা গৰ্ভৱতী হৈ যাকোবলৈ এটি
পুত্ৰ প্ৰসৱ কৰিলে। ৬ তেতিয়া ৰাহেলে ক'লে, "ঈশ্বৰে মোৰ কথা
শুনি সুবিচাৰ কৰিলে। তেওঁ নিশ্চয়কৈ মোৰ কাকুতি শুনিলে আৰু
মোক এটি পুত্ৰ দিলে।" সেয়ে তেওঁ সেই পুত্ৰৰ নাম দান ৰাখিলে।
৭ ৰাহেলৰ দাসী বিলহা পুনৰ্ব্বাৰ গৰ্ভৱতী হৈ যাকোবলৈ দ্বিতীয় পুত্ৰ
প্ৰসৱ কৰিলে। ৮ তেতিয়া ৰাহেলে ক'লে, "মই মোৰ বাইদেউৰ সৈতে
মালযুদ্ধ কৰি জয়ী থ'লো।" সেয়ে তেওঁ ল'ৰাটিৰ নাম নপ্তালী থলে। ৯

পাছত লেয়াই নিজে গৰ্ভধাৰণ কৰিবলৈ এৰা দেখি, তেৰোঁ নিজৰ দাসী জিল্পাক যাকোবৰ ভাৰ্য্যা কৰি দিলে। ১০ তাতে লেয়াৰ দাসী জিল্পাই যাকোবলৈ এটি পুত্ৰৰ জন্ম দিলে। ১১ লেয়াই ক'লে, "ই কেনে সৌভাগ্য!" এইবুলি তেওঁ ল'ৰাটিৰ নাম গাদ ৰাখিলে। ১২ তাৰ পাছত লেয়াৰ দাসী জিল্পাই যাকোবলৈ তেওঁৰ দ্বিতীয় পুত্ৰ জন্ম দিলে। ১৩ তাতে লেয়াই ক'লে, "মই সুখী! কিয়নো ছোৱালীবোৰে মোক সুখী বুলি ক'ব।" সেয়ে তেওঁ তাৰ নাম আচেৰ ৰাখিলে। ১৪ পাছত ঘেহুঁধান দোৱাৰ সময়ত, ৰূবেণে ওলাই গৈ পথাৰত দুদা ফল পাই তেওঁৰ মাক লেয়াক আনি দিলে; তেতিয়া ৰাহেলে লেয়াক ক'লে, "তোমাৰ পুত্ৰই অনা দুদা ফলৰ কেইটামান মোকো দিয়া।" ১৫ তাতে লেয়াই তেওঁক ক'লে "তুমি মোৰ স্বামীকে ল'লা, ই জানো সৰু কথা? আকৌ এতিয়া মোৰ পুত্ৰই অনা দুদা ফলো তুমি ল'ব খোজানে?" তেতিয়া ৰাহেলে ক'লে, "তেন্তে তোমাৰ পুত্ৰই অনা দুদা ফলৰ সলনি তেওঁ আজি ৰাতি তোমাৰে সৈতে শয়ন কৰিব।" ১৬ গধূলিপৰত যাকোব যেতিয়া পথাৰৰ পৰা উলটি আহিল লেয়াই বাহিৰলৈ আহি তেওঁক আগবঢ়ায় আনিবলৈ গ'ল। লেয়াই ক'লে, "তুমি আজি ৰাতি মোৰ লগত শয়ন কৰিব লাগে; কিয়নো মোৰ ল'ৰাই অনা দুদা ফল দি মই আপোনাৰ বেচ দিলোঁ।" তাতে সেই ৰাতি যাকোবে লেয়াৰ সৈতে শয়ন কৰিলে। ১৭ ঈশ্বৰে লেয়াৰ প্ৰাৰ্থনা শুনিলে আৰু তেওঁ পুনৰ গৰ্ভৱতী হৈ যাকোবলৈ পঞ্চম পুত্ৰ প্ৰসৱ কৰিলে। ১৮ তেতিয়া লেয়াই ক'লে, "মই মোৰ স্বামীক মোৰ দাসীক দিছিলোঁ আৰু সেয়ে, ঈশ্বৰে মোক তাৰ বেচ দিলে।" তাৰ কাৰণে তেওঁ পুত্ৰৰ নাম ইচাখৰ ৰাখিলে। ১৯ পাছত লেয়া আকৌ গৰ্ভৱতী হ'ল আৰু যাকোবলৈ তেওঁ ষষ্ঠ পুত্ৰ প্ৰসৱ কৰিলে। ২০ লেয়াই ক'লে, "ঈশ্বৰে মোক এক উত্তম উপহাৰ দিলে। এতিয়া মোৰ স্বামীয়ে মোক সন্মান কৰিব, কিয়নো মই তেওঁলৈ ছয়টি পুত্ৰ প্ৰসৱ কৰিলোঁ।" তাতে লেয়াই তেওঁৰ পুত্ৰৰ নাম জবূলূন ৰাখিলে। ২১ তাৰ পাছত তেওঁ এজনী ছোৱালী প্ৰসৱ কৰিলে আৰু তাইৰ নাম দীনা ৰাখিলে। ২২ পাছত ঈশ্বৰে ৰাহেলক সুঁৱৰিলে। ঈশ্বৰে ৰাহেলৰ প্ৰাৰ্থনা শুনিলে আৰু তেওঁকো গৰ্ভধাৰণৰ ক্ষমতা দিলে। ২৩ তাতে ৰাহেল গৰ্ভৱতী হ'ল

আৰু তেওঁ এটি পুত্ৰ প্ৰসৱ কৰিলে। তেতিয়া তেওঁ ক'লে, "ঈশ্বৰে মোৰ অপযশ দূৰ কৰিলে।" ২৪ তেওঁ সন্তানৰ নাম যোচেফ ৰাখি ক'লে যে, "যিহোৱাই মোক আন এটি পুত্ৰ দান কৰিলে।" ২৫ ৰাহেলে যোচেফক প্ৰসৱ কৰাৰ পাছত যাকোবে লাবনক ক'লে, "এতিয়া মোক বিদায় দিয়ক যাতে মই নিজৰ দেশ আৰু নিজৰ ঘৰলৈ যাব পাৰোঁ। ২৬ মোৰ ভাৰ্য্যা আৰু সন্তান সকলৰ কাৰণে মই আপোনাৰ সেৱা কৰিলোঁ। এতিয়া তেওঁলোকক লৈ মোক যাবলৈ দিয়ক। কিয়নো আপুনি নিজেই জানে মই কিভাৱে আপোনাৰ সেৱা কৰিলোঁ।" ২৭ তেতিয়া লাবনে তেওঁক ক'লে, "যদিহে মই তোমাৰ দৃষ্টিত অনুগ্ৰহপ্ৰাপ্ত হৈছোঁ, তেন্তে থাকা। কাৰণ যিহোৱাই যে তোমাৰ কাৰণে মোক আশীৰ্ব্বাদ কৰিছে, তাক মই অনুমান কৰি বুজিছোঁ।" ২৮ তেওঁ আৰু ক'লে, "তোমাৰ বেচ তুমি নিৰূপণ কৰা, মই তাকে তোমাক দিম।" ২৯ তেতিয়া যাকোবে তেওঁক ক'লে "মই কেনেকৈ আপোনাৰ সেৱা কৰিছোঁ আৰু মোৰ হাতত আপোনাৰ পশুৰ জাকবোৰৰ কি অৱস্থা হৈছে, তাক আপুনি জানে। ৩০ মই অহাৰ আগেয়ে আপোনাৰ পশুধন অলপ আছিল; কিন্তু এতিয়া সেইবোৰ বাঢ়ি গৈ প্ৰচুৰ হ'ল; মই যি যি ঠাইতে কাম কৰিলোঁ তাতেই যিহোৱাই আপোনাক আশীৰ্ব্বাদ কৰিলে। কিন্তু মোৰ নিজৰ পৰিয়ালৰ কাৰণেনো মই কেতিয়া কাম কৰিম?" ৩১ তেতিয়া লাবনে ক'লে, "মই তোমাক কি বেচ দিম?" যাকোবে ক'লে, "আপুনি মোক একোকে দিব নালাগে। আপুনি যদি মোলৈ এই কাম কৰে, তেন্তে মই পুনৰ আপোনাৰ পশুৰ জাক চৰাম আৰু তাৰ যত্ন লম। ৩২ আজি আপোনাৰ আটাইবোৰ পশুৰ জাকৰ মাজেদি মোক যাবলৈ দিয়ক। সেইবোৰৰ মাজৰ যিবোৰ মেৰ-ছাগৰ গাত ফুটুকা-ফুটুকী আৰু পখৰা-পখৰি দাগ আছে আৰু সকলো ক'লা বৰণৰ মেৰ-ছাগ আছে, মই বেলেগ কৰিম। আকৌ যি ছাগলী ফুটুকা-ফুটুকী আৰু পখৰা-পখৰি দাগ আছে, সেইবোৰকো বেলেগ কৰিম। সেয়ে মোৰ বেচ হব। ৩৩ তাতে ভৱিষ্যতে যেতিয়া আপুনি মোৰ বেচ চাবলৈ আহিব, তেতিয়া মোৰ ন্যায় কাৰ্যই আপোনাৰ আগত মোৰ পক্ষে সাক্ষ্য দিব; ফুটুকা-ফুটুকী আৰু পখৰা-পখৰি দাগ নথকা, এনে কোনো ছাগলী আৰু ক'লা

বৰণ নোহোৱা, এনে কোনো মেৰ-ছাগ যদি মোৰ ওচৰত পায়, সেয়ে মই চুৰ কৰা বুলি ধৰা হ’ব।” ৩৪ তেতিয়া লাবনে ক’লে, “বাৰু, তোমাৰ কথাৰ দৰেই হওঁক।” ৩৫ পাছত লাবনে সেই দিনাই পখৰা-পখৰি আৰু ফুটুকা-ফুটুকি দাগ থকা মতা ছাগলী আৰু পখৰা-পখৰি ও ফুটুকা-ফুটুকী মাইকী ছাগলীবোৰক অৰ্থাৎ যিবোৰৰ গাত বগা বৰণ আছিল সেইবোৰক আৰু ক’লা বৰণৰ মেৰ-ছাগবোৰক বেলেগ কৰি নিজৰ পুতেকসকলৰ হাতত সেইবোৰ গটাই দিলে। ৩৬ তাৰ পাছত তেওঁ যাকোবৰ ওচৰৰ পৰা তিনি দিনৰ পথৰ দূৰত্বলৈ আতৰি গ’ল আৰু যাকোবে লাবনৰ অৱশিষ্ট পশুৰ জাকবোৰ চৰাবলৈ ধৰিলে। ৩৭ তাৰ পাছত যাকোবে ঝাও, বাদাম আৰু অম্মোন গছৰ কেঁচা ডাল কাটি আনি সেইবোৰৰ বগা আঁচৰ ছাল গুছালে। তাতে ডালবোৰত থকা ভিতৰৰ বগা কাঠৰ আঁচ দেখা পোৱা গ’ল। ৩৮ পশুৰ জাকবোৰে যেতিয়া পানী খাবলৈ আহে, তেতিয়া তেওঁ সেই ডালবোৰ লৈ সিহঁতৰ সন্মুখত পানী খোৱা পাত্ৰবোৰৰ মাজত থিয়কৈ থয়; তাতে পানী খাবলৈ আহোঁতে, সিহঁত গাভিনী হয়। ৩৯ এইদৰে সেই ডালবোৰৰ সন্মুখত মিলিত হোৱাৰ পাছত জাকবোৰ গাভিনী হয় আৰু সিহঁতে ফুটুকা-ফুটুকী ও পখৰা-পখৰি পোৱালি জগায়। ৪০ যাকোবে মাইকী মেৰ-ছাগবোৰক বেলেগ কৰে আৰু পোৱালিবোৰক লৈ লাবনৰ আঁচ থকা পশুবোৰ আৰু ক’লা বৰণীয়া সকলো মেৰ-ছাগবোৰৰ মাজত ৰাখে; এইদৰে তেওঁ নিজৰ কাৰণে বেলেগে এক পশুপাল গঢ়ি তোলে আৰু সেইবোৰক তেওঁ লাবণৰ জাকৰ সৈতে মিলিবলৈ নিদিয়ে। ৪১ যেতিয়া জাকত থকা স্বাস্থ্যবান মেৰ-ছাগবোৰ গাভিনী হয়, তেতিয়া যাকোবে সিহঁতৰ পানী খোৱা পাত্ৰৰ মাজত চকুৰ সম্মুখত সেই ডালবোৰ থয় যাতে সেই ডালবোৰৰ সন্মুখতে সিহঁত গাভিনী হয়। ৪২ কিন্তু দুৰ্ব্বল পশুবোৰৰ আগত হ’লে নথয়; তাতে দুৰ্ব্বলবোৰ লাবনৰ আৰু বলী পশুবোৰ যাকোবৰ হয়। ৪৩ এইদৰে যাকোব অতিশয় ধনী লোক হৈ উঠিল। তেওঁৰ পশুধন, উট, গাধ আৰু দাস দাসীৰ সংখ্যা অধিকৰূপে বৃদ্ধি পালে।

**৩১** পাছত যাকোবে শুনিলে, লাবনৰ পুতেকহঁতে এই কথা কৈ ফুৰিছে
যে "যাকোবে আমাৰ পিতৃৰ সকলোবোৰ লৈছে আৰু আমাৰ পিতৃৰ
সম্পদৰ পৰাহে সি ইমান ঐশ্বৰ্য্যশালী হৈছে।" ২ যাকোবেও লক্ষ্য
কৰিলে যে তেওঁৰ প্রতি লাবনৰ আগৰ সেই মনোভাৱ সলনি হৈছে। ৩
তেতিয়া যিহোৱাই যাকোবক ক'লে, "তুমি তোমাৰ পূৰ্বপুৰুষসকলৰ
দেশলৈ, নিজৰ আত্মীয়সকলৰ ওচৰলৈ উভটি যোৱা; মই তোমাৰ
সঙ্গী হ'ম।" ৪ তেতিয়া যাকোবে মানুহ পঠাই পথাৰত থকা নিজৰ
জাকবোৰৰ ওচৰলৈ ৰাহেল আৰু লেয়াক মাতি আনিলে। ৫ যাকোবে
তেওঁলোকক ক'লে, "মই লক্ষ্য কৰিছোঁ মোৰ প্রতি তোমালোকৰ পিতৃৰ
মনোভাৱ সলনি হৈছে, কিন্তু মোৰ পিতৃৰ ঈশ্বৰ হ'লে মোৰ সংগে
সংগে আছে। ৬ তোমালোকেতো জানাই যে মই মোৰ সকলো শক্তিৰে
তোমালোকৰ পিতৃৰ সেৱা কাৰ্য কৰিলোঁ। ৭ তথাপিও তোমালোকৰ
পিতৃয়ে মোক প্রতাৰনা কৰিলে আৰু মোৰ বেচ দহ বাৰকৈ সলনি
কৰিলে। যিয়েই নহওঁক, ঈশ্বৰে মোৰ কোনো ক্ষতি কৰিবলৈ তেওঁক
নিদিলে। ৮ যেতিয়া তেওঁ কৈছিল, 'ফুটুকা-ফুটুকী পশুবোৰ তোমাৰ
বেচ হ'ব', তেতিয়া জাকৰ সকলো পশুৱেই ফুটুকা-ফুটুকী পোৱালি
জগালে; আকৌ, তেওঁ যেতিয়া কৈছিল, আঁচ থকা পশুবোৰ তোমাৰ
বেচ হ'ব, তেতিয়া জাকৰ সকলো পশুৱেই আঁচ থকা পোৱালি জগালে।
৯ এইদৰেই ঈশ্বৰে তোমালোকৰ পিতৃৰ পশুবোৰ নি মোক দিলে। ১০
এবাৰ পশুবোৰ গাভিনী হোৱাৰ সময়ত মই এটা সপোন দেখিছিলোঁ।
জাকৰ মাইকী ছাগলীবোৰৰ ওপৰত যিবোৰ মতা ছাগলী উঠিছে, সেই
সকলোবোৰ আঁচ থকা, ফুটুকা-ফুটুকী আৰু পখৰা-পখৰী। ১১ তেতিয়া
সপোনতে ঈশ্বৰৰ দূতে মোক মাতিলে, 'হে যাকোব।' মই ক'লোঁ,
'কওঁক, মই ইয়াতে আছোঁ।' ১২ ঈশ্বৰে ক'লে, সৌৱা, চকু তুলি চোৱা,
মাইকী ছাগলীবোৰৰ ওপৰত যিবোৰ মতা ছাগলী উঠিছে, সেইবোৰ
আঁচ থকা, ফুটুকা-ফুটুকী আৰু পখৰা-পখৰী; কিয়নো লাবনে তোমালৈ
যি যি কৰিছে, সেই সকলোকে মই দেখিছোঁ। ১৩ ময়েই বৈৎএলৰ সেই
ঈশ্বৰ, যি ঠাইত তুমি স্তম্ভৰ ওপৰত তেল ঢালি মোৰ ওচৰত সঙ্কল্প
কৰি প্রতিজ্ঞা কৰিছিলা। এতিয়া এই ঠাই এৰি তোমাৰ জন্মস্থানলৈ

উলটি যোৱা।” ১৪ তাতে ৰাহেল আৰু লেয়াই তেওঁক ক'লে, “পিতৃৰ ঘৰত আমাৰ জানো কিবা ভাগ বা অধিকাৰ আছে? ১৫ তেওঁ আমাক বিদেশীনীৰূপে গণ্য হোৱা নাই নে? কিয়নো তেওঁ আমাক বেচিলে আৰু বেচি পোৱা ধনকো তেওঁ গ্ৰাস কৰিলে। ১৬ কাৰণ ঈশ্বৰে আমাৰ পিতৃৰ পৰা যি সকলো সম্পত্তি নিলে, সেই সকলোবোৰ এতিয়া নিশ্চয়ে আমাৰ আৰু আমাৰ সন্তান সকলৰ; গতিকে ঈশ্বৰে আপোনাক যি দৰে কৈছে আপুনি এতিয়া সেইদৰেই কৰক।” ১৭ তেতিয়া যাকোবে উঠি, তেওঁৰ সন্তান আৰু ভাৰ্য্যা দুগৰাকীক উটত উঠালে। ১৮ তেওঁ পদ্দন-অৰামত উপাৰ্জিত নিজৰ পশুধনবোৰকে আদি কৰি সকলো সম্পত্তি লৈ যাত্ৰা আৰম্ভ কৰিলে। তেওঁ কনান দেশলৈ নিজৰ পিতৃ ইচহাকৰ ওচৰলৈ ৰাওনা হ'ল। ১৯ সেই সময়ত লাবনে তেওঁৰ মেৰ-ছাগবোৰৰ নোম কাটিবৰ কাৰণে গৈছিল আৰু সেই সুযোগতে ৰাহেলে তেওঁৰ বাপেকৰ গৃহ-দেৱতাবোৰ চুৰ কৰি নিলে। ২০ যাকোবেও তেওঁৰ যোৱাৰ কথা অৰামীয়া লাবনক নজনাই তেওঁৰ প্ৰতি ছলনা কৰিলে। ২১ এইদৰে যাকোবে নিজৰ সকলো বয়-বস্তু লৈ পলাই গ'ল। তেওঁ সোনকালেই নদী পাৰ হৈ গিলিয়দৰ পৰ্ব্বতীয়া অঞ্চলৰ ফালে আগবাঢ়ি গ'ল। ২২ পাছত তৃতীয় দিনা লাবনে জানিব পাৰিলে যে যাকোব পলাই গ'ল। ২৩ তেওঁ নিজৰ আত্মীয়স্বজনক লগত লৈ যাকোবৰ পাছে পাছে খেদি গৈ সাত দিনৰ পথ গ'ল আৰু গিলিয়দৰ পৰ্ব্বতীয়া অঞ্চলত তেওঁক লগ পালে। ২৪ কিন্তু ঈশ্বৰে নিশা সপোনত অৰামীয়া লাবনৰ ওচৰলৈ আহি ক'লে, “সাৱধান, তুমি যাকোবক ভাল-বেয়া একোকে নক'বা।” ২৫ যাকোবৰ তম্বু পাহাৰৰ ওপৰত তৰা আছিল আৰু তাতেই লাবনে গৈ যাকোবক লগ ধৰিলে। লাবন আৰু তেওঁৰ আত্মীয়স্বজনসকলেও গিলিয়দৰ পাহাৰীয়া অঞ্চলত তম্বু তৰিলে। ২৬ পাছত লাবনে যাকোবক ক'লে, “তুমি এইয়া কি কৰিলা? কিয় মোক ঠগালা আৰু মোৰ ছোৱালীবোৰক যুদ্ধৰ বন্দীৰ দৰে লৈ আহিলা? ২৭ কিয় চালাকি কৰি মোক নোকোৱাকৈ মনে মনে পলাই আহিলা? মোক কোৱা হ'লে আনন্দেৰে মই খঞ্জৰী আৰু বীণা-বাদ্যেৰে গান কৰি কৰি তোমালোকক বিদায় দিলোঁহেঁতেন? ২৮ তুমি মোক মোৰ ছোৱালী

আৰু নাতি-নাতিনীবোৰক বিদায় বেলাত চুমা খাবলৈকো নিদিলা। তুমি
অজ্ঞানৰ দৰে কৰ্ম কৰিলা। ২৯ তোমালোকৰ ক্ষতি কৰিবৰ ক্ষমতা
মোৰ আছে, কিন্তু যোৱা ৰাতি তোমাৰ পিতৃৰ ঈশ্বৰে মোক এই কথা
ক'লে, 'সাৱধান, যাকোবক তুমি ভাল কি বেয়া একোকে নক'বা।' ৩০
এতিয়া তুমি তোমাৰ পিতৃৰ ঘৰলৈ যাবলৈ ইচ্ছা কৰাৰ কাৰণে তুমি
ওলাই গৈছা; কিন্তু মোৰ দেৱ-দেৱীবোৰক কিয় চুৰ কৰি আনিলা?"
৩১ তাতে যাকোবে উত্তৰত লাবনক ক'লে, "মোৰ ভয় লাগিছিল;
কিয়নো মই ভাবিছিলোঁ যে আপুনি আপোনাৰ ছোৱালীক মোৰ পৰা
বলেৰে কাঢ়ি ল'ব আৰু সেইবাবে মই গোপনে পলাই আহিলোঁ। ৩২
কিন্তু আপোনাৰ দেৱ-দেৱীবোৰক যেয়ে চুৰ কৰি আনিছে, সি জীয়াই
নেথাকিব; আমাৰ বস্তুবোৰৰ মাজত যদি আপোনাৰ কিবা বস্তু আছে,
তেন্তে আমাৰ উভয়ৰ আত্মীয়-স্বজনৰ সন্মুখতে তাক বিচাৰি লওঁক।"
কিয়নো সেই দেৱ-দেৱীৰ মূৰ্তিবোৰ যে ৰাহেলে চুৰ কৰি আনিছিল,
তাক যাকোবে জনা নাছিল। ৩৩ তেতিয়া লাবনে এটা এটাকৈ যাকোব,
লেয়া আৰু দুজনী দাসীৰ তম্বুত সোমাল, কিন্তু তাত তেওঁ সেইবোৰ
নাপালে; তেওঁ লেয়াৰ তম্বুৰ পৰা ওলাই ৰাহেলৰ তম্বুত সোমালগৈ।
৩৪ কিন্তু ৰাহেলে সেই মূৰ্তিবোৰ নি উটৰ গাদিৰ ভিতৰত সুমুৱাই
থৈছিল আৰু তেওঁ নিজে সেই গাদিৰ ওপৰত বহি আছিল। লাবনে
তম্বুৰ সকলো ঠাইতে তন্নতন্নকৈ বিচাৰিলে, কিন্তু তাতো সেইবোৰ
নাপালে। ৩৫ ৰাহেলে বাপেকক ক'লে, "মই আপোনাৰ আগত উঠি
থিয় হ'ব নোৱাৰাৰ কাৰণে মোৰ প্ৰভু ক্ৰোধিত নহব। কিয়নো মোৰ
মাহেকীয়া হৈছে।" সেয়ে লাবনে বিচাৰিলতো সেই মূৰ্তিবোৰ নাপালে।
৩৬ তেতিয়া যাকোবৰ খং উঠিল আৰু লাবনৰ সৈতে বিবাদ কৰিবলৈ
ধৰিলে। যাকোবে লাবনক ক'লে, "মোৰ অপৰাধেই বা কি আৰু মইনো
কি পাপ কৰিলোঁ যে, আপুনি প্ৰজ্বলিত হৈ মোৰ পাছত খেদি আহিছে?
৩৭ মোৰ সকলো বস্তু তন্নতন্নকৈ খেপিয়াই চাই আপোনাৰ ঘৰৰ কি বস্তু
পালে? যদিহে পালে, তাক ইয়াত, আমাৰ উভয়ৰ আত্মীয়স্বজনৰ
আগত ৰাখক যাতে তেওঁলোকে আমাৰ দুয়ো পক্ষৰে মাজত বিচাৰ
কৰিব পাৰে। ৩৮ মই আপোনাৰ লগত বিশ বছৰ ধৰি আছিলোঁ।

এই কালছোৱাত আপোনাৰ কোনো মাইকী মেৰ-ছাগ বা ছাগলীৰ গৰ্ভফল বিনষ্ট হোৱা নাছিল নাইবা আপোনাৰ জাকৰ কোনো এটা মতা মেৰ-ছাগো মই মাৰি খোৱা নাছিলো। ৩৯ এনেকি বন্য জন্তুৱে মৰা কোনো পশুও মই আপোনাৰ ওচৰলৈ অনা নাছিলো; সেই ক্ষতি মই নিজেই বহন কৰিছিলোঁ; কিন্তু কোনো পশু চুৰ হ'লে - সেইয়া দিনতেই হওঁক বা ৰাতিয়েই হওঁক, আপুনি তাৰ ক্ষতিপূৰণ মোৰ পৰা আদায় কৰিছিল। ৪০ মই দিনৰ গৰমত পুৰিছিলো আৰু ৰাতিৰ ঠাণ্ডাত কঁপিছিলো, মোৰ চকুত টোপনি নাছিল; তাত মোৰ অৱস্থা এয়ে আছিল। ৪১ এই যি বিশ বছৰ মই আপোনাৰ ঘৰত আছিলোঁ, তাৰ চৌদ্ধ বছৰ মই আপোনাৰ দুজনী ছোৱালীৰ কাৰণে আপোনাৰ সেৱা কৰিছিলোঁ আৰু ছয় বছৰ কটালোঁ আপোনাৰ পশুজাকৰ পাছত। তাৰ মাজতে আপুনি মোৰ বেচ দহবাৰ সলনি কৰিলে। ৪২ মোৰ পিতৃ ঈশ্বৰ, যিজন অব্ৰাহামৰ ঈশ্বৰ আৰু ইচহাকৰ ভয়ৰ পাত্ৰ, তেওঁ মোৰ সঙ্গী নোহোৱা হলে, আপুনি নিশ্চয়ে মোক আজি শুদা-হাতেই বিদায় দিলেহেঁতেন। ঈশ্বৰে মোৰ দুখ আৰু কঠোৰ পৰিশ্ৰমলৈ দৃষ্টি কৰিলে। সেইবাবেই যোৱা ৰাতি তেওঁ আপোনাক ধমকি দিলে।" ৪৩ এই কথাত লাবনে যাকোবক উত্তৰ দি ক'লে, "ছোৱালীকেইজনী মোৰেই ছোৱালী, সন্তানবোৰ মোৰ নাতি-নাতিনী আৰু এই পশুৰ জাকবোৰো মোৰ পশুৰ জাক। তুমি যি সকলো দেখিছা, সেই সকলোবোৰ মোৰেই। তথাপিও মই আজি মোৰ এই ছোৱালী বা সিহঁতৰ সন্তানবোৰলৈ কি কৰিব পাৰোঁ? ৪৪ সেয়ে এতিয়া আহাঁ, আমি দুজনে এটি চুক্তি কৰোঁহক যি তোমাৰ আৰু মোৰ মাজত সাক্ষী হৈ থাকিব।" ৪৫ তেতিয়া যাকোবে এটা শিল আনি তাক স্তম্ভস্বৰূপে স্থাপন কৰিলে। ৪৬ যাকোবে তেওঁৰ আত্মীয়সকলক ক'লে "আপোনালোকে শিলবোৰ গোটাওক।" তেতিয়া তেওঁলোকে শিলবোৰ আনি এটা স্তূপ বনালে আৰু সকলোৱে সেই স্তূপৰ কাষতে ভোজনপান কৰিলে। ৪৭ লাবনে সেই স্তূপৰ নাম যিগৰ-চাহদুথা ৰাখিলে; কিন্তু যাকোবে হ'লে, তাৰ নাম গলেদ ৰাখিলে। ৪৮ তেতিয়া লাবনে ক'লে, "এই স্তূপেই আজি তোমাৰে মোৰে মাজত সাক্ষী হৈছে।" এই হেতুকে এই স্তূপৰ নাম গলেদ ৰখা হ'ল। ৪৯ তাৰ

উপৰি ইয়াৰ নাম মিস্পাও ৰখা হ'ল, কিয়নো লাবনে ক'লে, "আমি
ইজনে সিজনে চকুৰ আঁতৰা-আঁতৰি হ'লে, যিহোৱাই তোমাৰ আৰু
মোৰ মাজত পৰ দি থাকক। ৫০ তুমি যদি মোৰ ছোৱালী দুজনীক
বেয়া ব্যৱহাৰ কৰা নাইবা মোৰ ছোৱালীবোৰ থকাতো আন মহিলাক
গ্ৰহণ কৰা, তেতিয়া যদিও আমাৰ ওচৰত কোনো মানুহ নাথাকিব,
কিন্তু মনত ৰাখিবা ঈশ্বৰ তোমাৰ আৰু মোৰ মাজত সাক্ষী হৈ থাকিব।"
৫১ লাবনে যাকোবক আৰু ক'লে, "এই স্তূপটোলৈ চোৱা আৰু এই যি
স্তম্ভটো মই তোমাৰ আৰু মোৰ মাজত স্থাপন কৰিলোঁ, তাৰ ফালেও
চোৱা; ৫২ এই স্তূপ আৰু স্তম্ভ দুয়োটাই এই কথাৰ সাক্ষী হৈ থাকিল যে,
এই স্তূপ পাৰ হৈ মই তোমাৰ অপকাৰ কৰিবলৈ নাযাওঁ আৰু তুমিও
এই স্তূপ আৰু স্তম্ভ পাৰ হৈ মোৰ অপকাৰ কৰিবলৈ নাহিবা। ৫৩ তেনে
কৰিলে অব্ৰাহামৰ ঈশ্বৰ আৰু নাহোৰ ও তেওঁলোকৰ পিতৃৰো ঈশ্বৰে
যেন আমাৰ বিচাৰ কৰে।" তেতিয়া যাকোবে তেওঁৰ পিতৃ ইচহাকে ভয়
ৰখা ঈশ্বৰৰ নামেৰে শপত খালে। ৫৪ তাৰ পাছত যাকোবে সেই
পৰ্ব্বতত পশুবলি উৎসৰ্গ কৰিলে আৰু তেওঁৰ আত্মীয়সকলক ভোজন
কৰিবলৈ মাতিলে; তাতে তেওঁলোকে ভোজন কৰি সেই পৰ্ব্বততে
ৰাতিটো কটালে। ৫৫ পাছদিনা পুৱাতে উঠি লাবনে তেওঁৰ জীয়েক
আৰু নাতি-নাতিনীক চুমা খাই আশীৰ্ব্বাদ কৰিলে। তাৰ পাছত লাবনে
প্ৰস্থান কৰি নিজৰ ঘৰলৈ উভটি গ'ল।

**৩২** পাছত যাকোবেও নিজৰ পথত যাত্ৰা কৰিলে। বাটত ঈশ্বৰৰ
দূতবোৰে তেওঁৰ লগত সাক্ষাৎ কৰিলে। ২ তেওঁলোকক দেখি
যাকোবে ক'লে, "এইয়া ঈশ্বৰৰ শিবিৰ।" সেই কাৰণে তেওঁ সেই
ঠাইৰ নাম মহনয়িম ৰাখিলে। ৩ যাকোবে তেওঁৰ আগে আগে
চেয়ীৰ, অৰ্থাৎ ইদোমৰ অঞ্চললৈ তেওঁৰ ককায়েক এচৌৰ ওচৰলৈ
কেইজনমান বাৰ্তাবাহকক পঠালে, ৪ তেওঁ তেওঁলোকক এই বুলি
আজ্ঞা দিলে, "তোমালোকে মোৰ মালিক এচৌক জনাবা যে তেওঁৰ
দাস যাকোবে এই দৰে কৈ পঠাইছে, মই আজিলৈকে লাবনৰ সৈতে
আছিলোঁ।। ৫ মোৰ গৰু, গাধ, মেৰ-ছাগ আৰু ছাগলী আদি পশু
আৰু দাস-দাসী সকলো আছে। সেয়ে মই মোৰ প্ৰভুৰ ওচৰলৈ

আগতীয়াকৈ সংবাদ পঠাইছো মই যেন আপোনাৰ দৃষ্টিত অনুগ্ৰহ
পাওঁ।” ৬ বাৰ্তাবাহকসকলে যাকোবৰ ওচৰলৈ উলটি আহি ক’লে,
“আমি আপোনাৰ ককাই এচৌৰ তালৈ গৈছিলোঁ। তেওঁ চাৰিশ মানুহ
লগত লৈ আপোনাৰে সৈতে সাক্ষাৎ কৰিবলৈ আহিছে।” ৭ তাতে
যাকোবে অতিশয় ভয় খালে আৰু তেওঁৰ মন অস্থিৰ হৈ পৰিল। সেয়ে
তেওঁ তেওঁৰ লগত থকা লোকসকলক, গৰু, গাধ, মেৰ-ছাগ আৰু
ছাগলী, উট আদি পশুৰ জাকবোৰক দুটা দলত ভাগ কৰিলে। ৮
তেওঁ ক’লে, “এচৌৱে যদি আহি এটা দলক আক্ৰমণ কৰে, তেন্তে
আনটো দলে পলাব পাৰিব।” ৯ যাকোবে এইবুলি প্ৰাৰ্থনা কৰিলে, “হে
যিহোৱা, মোৰ পূৰ্বপুৰুষ অব্ৰাহামৰ ঈশ্বৰ আৰু মোৰ পিতৃ ইচহাকৰো
ঈশ্বৰ, তুমি মোক কৈছিলা, ‘তোমাৰ দেশ আৰু তোমাৰ লোকসকলৰ
ওচৰলৈ উভতি যোৱা। মই তোমাৰ মঙ্গল কৰিম। ১০ আপোনাৰ এই
দাসক আপুনি যে সকলো কৰুণা আৰু বিশ্বস্ততা দেখুৱাইছে, মই তাৰ
এফেৰিও যোগ্য নহওঁ; কিয়নো মই কেৱল এডাল লাখুটি লৈয়েই এই
যৰ্দ্দন নদী পাৰ হৈ গৈছিলোঁ; কিন্তু এতিয়া মোৰ দুটা দল হৈ গ’ল। ১১
মই মিনতি কৰোঁ, মোৰ ককাই এচৌৰ হাতৰ পৰা মোক ৰক্ষা কৰক।
কিয়নো মোৰ ভয় লাগিছে যে তেওঁ আহি মোৰ লগতে মাক আৰু সন্তান
সকলকো বধ কৰিব। ১২ কিন্তু আপুনি কৈছিলে, ‘মই নিশ্চয়ে তোমাৰ
মঙ্গল কৰিম; তোমাৰ বংশ সাগৰৰ তীৰৰ বালিৰ দৰে কৰিম যাক গণি
শেষ কৰিব নোৱাৰিব।’” ১৩ যাকোবে সেই ঠাইতে ৰাতিটো কটালে।
তেওঁৰ যি আছিল তাৰ পৰাই কিছু লৈ ককায়েক এচৌৰ কাৰণে এক
উপহাৰ স্বৰূপে ঠিক কৰি ৰাখিলে। ১৪ দুশ মাইকী ছাগলী আৰু বিশটা
মতা ছাগলী, দুশ মাইকী মেৰ-ছাগ আৰু বিশটা মতা মেৰ-ছাগ, ১৫
পোৱালিয়ে সৈতে ত্ৰিশ জনী খিৰতী উট, চল্লিশ জনী গাই গৰু আৰু
দহোটা ভতৰা গৰু, বিশ জনী গাধী আৰু দহোটা গাধ এই সকলোকে
ৰাখিলে। ১৬ সেইবোৰক জাক জাক কৰি দাসবোৰৰ হাতত শোধাই দি
এই আজ্ঞা দিলে, “তোমালোক মোৰ আগেয়ে যোৱা আৰু প্ৰত্যেকটো
জাকৰ মাজত কিছু ঠাই ৰাখি ৰাখি যাবা।” ১৭ তেওঁ প্ৰথমটো দলৰ
দাসক এই আজ্ঞা দিলে, “মোৰ ককাই এচৌৰ লগত দেখা হ’লে তেওঁ

তোমাক যেতিয়া সুধিব, ‘তুমি ক’ৰ মানুহ? তুমি কলৈ গৈ আছা?
তোমাৰ আগত থকা সেই পশুবোৰ কাৰ?’ ১৮ তেতিয়া তুমি ক’বা,
‘সেইবোৰ আপোনাৰ দাস যাকোবৰ; তেওঁ মোৰ মালিক এচৌলৈ
এই উপহাৰ পঠাইছে। তেৰোঁ আমাৰ পাছে পাছে আহি আছে।’” ১৯
এইদৰে যাকোবে দ্বিতীয়, তৃতীয় আৰু জাকবোৰৰ পাছত যোৱা আন
আন সকলোকে এই আজ্ঞা দিলে, “তোমালোকেও এচৌক ল’গ পালে
ঠিক এই কথাকে কবা। ২০ তোমালোকেও কবা, ‘আপোনাৰ দাস
যাকোবও আমাৰ পাছত আহি আছে।’” কিয়নো যাকোবে ভাবিলে,
“মোৰ আগে আগে যি উপহাৰবোৰ গৈছে, তাৰ দ্বাৰাই মই তেওঁক
শান্ত কৰিম। পাছত যেতিয়া মোৰ তেওঁৰে সৈতে দেখাদেখি হব,
তেতিয়া হয়তো তেওঁ মোক গ্রহণ কৰি লব।” ২১ এইদৰে তেওঁৰ
আগে আগে উপহাৰবোৰ গ’ল; কিন্তু তেওঁ নিজে সেই ৰাতি তেওঁৰ
ছাউনিতে থাকিল। ২২ সেই ৰাতিয়েই যাকোবে উঠি তেওঁৰ দুজনী
ভাৰ্যা, দুজনী দাসী আৰু তেওঁৰ এঘাৰজন পুত্রক লৈ খোজকাঢ়ি পাৰ
হব পৰা এনে এক খৰাং ঠাইয়েদি যব্বোক নদীৰ সিপাৰে পঠালে। ২৩
এইদৰে তেওঁৰ যি যি আছিল সেই সকলো বস্তুও তেওঁলোকৰ লগত
সিপাৰলৈ পঠাই দিলে। ২৪ তাতে যাকোব সেই ঠাইত অকলে থাকিল।
তেতিয়া এজন পুৰুষে আহি ৰাতিপুৱা নোহোৱা পৰ্যন্ত তেওঁৰ সৈতে
মল্লযুদ্ধ কৰিলে। ২৫ সেই পুৰুষে যেতিয়া দেখিলে যে তেওঁ যাকোবক
পৰাজয় কৰিব পৰা নাই, তেতিয়া তেওঁ যাকোবৰ কৰঙনৰ জোৰাত
আঘাত কৰিলে; তাতে তেওঁৰ কৰঙনৰ হাড়ৰ জোৰা লৰিল। ২৬
পুৰুষ জনে ক’লে, “ৰাতিপুৱা হৈ আহিছে, মোক এৰি দিয়া।” যাকোবে
ক’লে, “আপুনি মোক আশীৰ্ব্বাদ নকৰা পৰ্যন্ত মই আপোনাক এৰি
নিদিওঁ।” ২৭ পুৰুষজনে তেওঁক ক’লে, “তোমাৰ নাম কি?” তেওঁ
ক’লে, “যাকোব।” ২৮ পুৰুষজনে ক’লে, “তুমি ঈশ্বৰ আৰু মানুহৰ
সৈতে যুদ্ধ কৰি বিজয়ী হলা; সেয়ে তোমাক আৰু যাকোব নামেৰে
মতা নহ’ব, কিন্তু ইস্রায়েল বুলিহে মতা হ’ব।” ২৯ যাকোবে তেওঁক
সুধিলে, “আপোনাৰ নামটোনো কি অনুগ্ৰহ কৰি মোক কওঁক।” তাতে
তেওঁ ক’লে, “তুমি মোৰ নাম কিয় সুধিছা?” এই কথা কৈয়ে তেওঁ

যাকোবক সেই ঠাইতে আশীৰ্ব্বাদ কৰিলে। ৩০ তেতিয়া যাকোবে
সেই ঠাইৰ নাম পনীয়েল ৰাখিলে। তেওঁ ক'লে, "মই ঈশ্বৰক সন্মুখা-
সন্মুখিকৈ দেখা পালতো, মই জীয়াই আছোঁ।" ৩১ যাকোবে পনুৱেল
পাৰ হৈ যাওঁতে সূৰ্য উদয় হ'ল; কৰঙনৰ হাড়ৰ জোৰা লৰাৰ কাৰণে
তেওঁ লেকেচিয়াবলৈ ধৰিলে। ৩২ সেই কাৰণে ইস্ৰায়েলৰ লোকসকলে
আজিও কৰঙনৰ জোৰাৰ পেশীৰ মাংস নাখায়, কাৰণ সেই পুৰুষে
যাকোবৰ কৰঙনৰ জোৰা লৰাই পেশীবোৰ আঘাত কৰিছিল।

৩৩ তাৰ পাছত যাকোবে দেখিলে যে, এচৌৱে চাৰিশ মানুহ লগত
লৈ আগুৱাই আহি আছে। তেওঁ তেতিয়া লেয়া, ৰাহেল, আৰু দুজনী
দাসীৰ মাজত সন্তান সকলক ভাগ কৰি দিলে। ২ দুয়োজনী দাসী আৰু
তেওঁলোকৰ সন্তান সকলক তেওঁ প্ৰথমতে ৰাখিলে, তাৰ পাছত ৰাখিলে
লেয়া আৰু তেওঁৰ সন্তান সকলক। অৱশেষত ৰাহেল আৰু যোচেফক
ৰাখিলে। ৩ তেওঁ নিজে সকলোৰে আগে আগে গ'ল। ককায়েকৰ ওচৰ
নোপোৱালৈকে তেওঁ মাটিত উবুৰি হৈ সাতবাৰ প্ৰণিপাত কৰিলে। ৪
তেতিয়া এচৌৱে তেওঁৰ ওচৰলৈ দৌৰি আহি তেওঁক সাৱটি ধৰিলে;
ডিঙিত ধৰি সাৱটি চুমা খালে আৰু তাৰ পাছত দুয়োৱে কান্দিবলৈ
ধৰিলে। ৫ পাছত এচৌৱে চকু তুলি মহিলা আৰু সন্তান সকলক দেখি
সুধিলে, "তোমাৰ লগত এওঁলোক কোন?" যাকোবে ক'লে "ঈশ্বৰে
অনুগ্ৰহ কৰি আপোনাৰ দাসক এই সকলো সন্তান দিলে।" ৬ তেতিয়া
দাসী দুজনীয়ে নিজৰ সন্তান সকলৰ সৈতে আগবাঢ়ি গৈ প্ৰণিপাত
কৰিলে। ৭ তাৰ পাছত লেয়াই তেওঁৰ সন্তান সকলক লৈ আগবাঢ়ি
আহি প্ৰণিপাত কৰিলে; শেষত যোচেফ আৰু ৰাহেলেও আগুৱাই গৈ
প্ৰণিপাত কৰিলে। ৮ এচৌৱে ক'লে, "মই যি দলবোৰক লগ পালোঁ,
সেই সকলো কিহৰ বাবে?" যাকোবে ক'লে, "সেইবোৰ মোৰ মালিকৰ
দৃষ্টিত অনুগ্ৰহ পাবৰ বাবে।" ৯ তেতিয়া এচৌৱে ক'লে, "ভাই, মোৰ
যথেষ্ট আছে; তোমাৰ যি আছে, সেয়া তোমালৈকো থাকক।" ১০
যাকোবে ক'লে, "নহয় নহয়, মই মিনতি কৰি কৈছো, যদি আপোনাৰ
দৃষ্টিত মই অনুগ্ৰহ পাইছোঁ, তেন্তে মোৰ হাতৰ পৰা উপহাৰ গ্ৰহণ
কৰক। কিয়নো, আপুনি মোক গ্ৰহণ কৰিছে আৰু অৱশ্যেই মোৰ

বাবে আপোনাৰ মুখ দেখা ঈশ্বৰৰ মুখ দেখাৰ দৰে। ১১ বিনয়
কৰোঁ, আপোনালৈ অনা মোৰ উপহাৰ গ্ৰহণ কৰক; কিয়নো ঈশ্বৰে
মোক প্ৰচুৰ দয়া কৰিছে আৰু মোৰ যথেষ্ট আছে।” যাকোবে এইদৰে
কাবৌকাকুতি কৰাত এচৌৱে তাক গ্ৰহণ কৰিলে। ১২ পাছত এচৌৱে
ক’লে, “আহাঁ, আমি আমাৰ পথত যাওঁহঁক। মই তোমাৰ আগে আগে
যাম।” ১৩ যাকোবে তেওঁক ক’লে, “মোৰ মালিকেতো জানেই যে, এই
ল’ৰা-ছোৱালীবোৰৰ বয়স বেচি নহয় আৰু মোৰ লগত থকা মেৰ-ছাগ
গৰুৰ জাকবোৰৰ পিয়াহ খোৱা পোৱালিও আছে। যদি ততাতৈয়া কৰি
সিহঁতক এটা দিনো লৈ যোৱা হয়, তেন্তে আটাইবোৰেই মৰি যাব।
১৪ তাতোকৈ বৰং মোৰ মালিকে তেওঁৰ এই দাসৰ আগেয়ে যাওঁক;
মই চেয়ীৰত মোৰ প্ৰভুৰ ওচৰলৈ গৈ নাপাওঁমানে, মোৰ আগত থকা
পশুধন আৰু ল’ৰা-ছোৱালীবোৰে যাব পৰাকৈ মই অধিক ধীৰে ধীৰে
যাব লাগিব।” ১৫ এচৌৱে ক’লে, “তেন্তে মোৰ লগৰ কিছুমান মানুহ
তোমাৰ লগত থৈ যাওঁ।” কিন্তু যাকোবে ক’লে, “তাৰ কি প্ৰয়োজন?
মোৰ মালিকৰ পৰা মই যি দয়া পাইছো, সেয়ে মোলৈ যথেষ্ট।” ১৬
পাছত এচৌৱে সেই দিনাই চেয়ীৰৰ ফাললৈ নিজ বাটেদি উভটি গ’ল;
১৭ যাকোবে যাত্ৰা কৰি চুক্কোতলৈ গ’ল। তেওঁ নিজৰ কাৰণে তাত
এটা ঘৰ সাজিলে আৰু তেওঁৰ পশুবোৰৰ কাৰণে আশ্ৰয়ৰ চালিঘৰ
সাজিলে; এই নিমিত্তে সেই ঠাইৰ নাম চুক্কোৎ [চালিঘৰ] হ’ল। ১৮
পদ্দন-অৰামৰ পৰা যাকোবে কুশলে আহি কনান দেশৰ চিখিম নগৰ
পালে। তাত তেওঁ নগৰৰ ওচৰত নিজৰ তম্বু তৰিলে। ১৯ পাছত তেওঁ
নিজৰ তম্বু তৰা মাতি ডোখৰ চিখিমৰ বাপেক হমোৰৰ সন্তান সকলৰ
পৰা কিনি ললে। ২০ সেই ঠাইত তেওঁ এটা যজ্ঞবেদি স্থাপন কৰি তাৰ
নাম এল-এলোহে ইস্রায়েল ৰাখিলে।

**৩৪** লেয়াৰ গৰ্ভত দীনা নামেৰে যাকোবৰ যিগৰাকী ছোৱালীৰ জন্ম
হৈছিল, তাই এদিন সেই ঠাইৰ ছোৱালীবোৰৰ লগত দেখা কৰিবলৈ
ওলাই গৈছিল। ২ তেতিয়া চিখিম নামৰ সেই দেশৰ ৰজা হিব্বীয়া
হমোৰৰ পুতেকে তাইক দেখা পালে। চিখিমে দীনাক ধৰি নি বেয়া
ব্যৱহাৰ কৰিলে। ৩ চিখিম যাকোবৰ জীয়েক দীনাৰ প্ৰেমত পৰি

আকৰ্ষিত হৈছিল; তেওঁ দীনাক ভাল পাইছিল আৰু তাইৰ লগত মৰমেৰে কথা পাতিছিল। ৪ চিখিমে নিজৰ বাপেক হমোৰক ক'লে, "আপুনি এই ছোৱালীগৰাকীক মোক বিয়া কৰাই দিয়ক।" ৫ জীয়েক দীনাক যে সেই ল'ৰাজনে বেয়া ব্যৱহাৰ কৰিলে, যাকোবৰ কাণত পৰিল। সেই সময়ত যাকোবৰ পুত্ৰসকল পথাৰত পশুধন চৰাবলৈ গৈছিল; সেয়ে তেওঁলোক আহি নোপোৱালৈকে যাকোব মনে মনে থাকিল। ৬ চিখিমৰ বাপেক হমোৰ যাকোবৰে সৈতে কথা-বতৰা হ'বলৈ ওলাই আহিল। ৭ এই বিষয়ে শুনি যাকোবৰ পুত্ৰসকল পথাৰৰ পৰা আহিল; তেওঁলোকে মনত যিমান কষ্ট পালে, সিমান বেছিকৈ খঙত জ্বলিও উঠিল। কিয়নো যাকোবৰ জীয়েকৰ প্ৰতি বেয়া ব্যৱহাৰ কৰি চিখিমে ইস্ৰায়েলৰ প্ৰতি এক অপমানৰ কাৰ্য কৰিলে, যি কৰা তেওঁৰ উচিত নাছিল। ৮ হমোৰে তেওঁলোক সকলোকে ক'লে, "মোৰ পুত্ৰ চিখিমে আপোনালোকৰ ছোৱালীক ভাল পায়। অনুগ্ৰহ কৰি তাইক আপোনালোকে মোৰ পুত্ৰলৈ বিয়া দিয়ক। ৯ ইয়াৰ দ্বাৰা আপোনালোকৰ সৈতে আমাৰ বিবাহৰ এক ব্যৱস্থা হ'ব। আপোনালোকৰ জীয়ৰী আমালৈ দিয়ক আৰু আমাৰ জীয়ৰীকো আপোনালোকে বিয়া কৰি গ্ৰহণ কৰিব পাৰিব। ১০ আপোনালোকে আমাৰ মাজতে বাস কৰক। আপোনালোকৰ কাৰণে এই দেশ মুকলি হৈ আছে; ইয়াতেই থাকি বেহা বেপাৰ কৰি ঐশ্বৰ্য্যৱন্ত হওঁক।" ১১ চিখিমেও দীনাৰ বাপেক আৰু ভায়েক ককায়েকসকলক ক'লে, "আপোনালোকে মোলৈ এই অনুগ্ৰহ দান কৰক; আপোনালোকে মোক যিহকে কব, মই তাকে কৰিম। ১২ বিয়াৰ ধন আৰু উপহাৰ হিচাবে আপোনালোকে যিহকে দাবী কৰিব, মই সেই সকলো আপোনালোকক দিম; আপোনালোকে মাথোন ছোৱালীজনীক মোৰ লগত বিয়া দিয়ক।" ১৩ যিহেতু চিখিমে তেওঁলোকৰ ভনীয়েক দীনাক ভ্ৰষ্ট কৰিলে, সেয়ে যাকোবৰ পুত্ৰসকলে চিখিম আৰু তেওঁৰ বাপেক হমোৰক ছলনাৰে উত্তৰ দিলে। ১৪ তেওঁলোকে ক'লে, "আমি এনে কাম কৰিব নোৱাৰোঁ; যাৰ চুন্নৎ কৰা হোৱা নাই, এনে কাৰো লগত আমাৰ ভনীক বিয়া দিয়াটো আমাৰ বাবে অসন্মানৰ বিষয়। ১৫ কেৱল এটা কাৰ্য কৰিলে আমি আপোনালোকৰ কথাত মান্তি

হ’ব পাৰোঁ; সেয়া হৈছে আপোনালোকৰ প্ৰত্যেকজন পুৰুষে আমাৰ
নিচিনাকৈ চুন্নৎ হ’ব লাগিব। ১৬ তেতিয়া আমি আপোনালোকলৈ
আমাৰ ছোৱালী দিম; আপোনালোকৰ ছোৱালীবোৰকো আমি গ্ৰহণ
কৰিম আৰু আমি আপোনালোকৰ সৈতে নিবাস কৰি এক জাতি হ’ম।
১৭ কিন্তু যদি আপোনালোকে আমাৰ কথা নুশুনে আৰু চুন্নৎ হবলৈ মান্তি
নহয়, তেনেহলে আমাৰ ছোৱালীক লৈ আমি ইয়াৰ পৰা গুচি যাম।”
১৮ তেওঁলোকৰ কথাত হমোৰ আৰু তেওঁৰ পুতেক চিখিমে সন্তোষ
পালে। ১৯ পৰিয়ালৰ সকলোতকৈ সন্মানীত ব্যক্তি যুবক চিখিমে
পলম নকৰি তেওঁলোকে কোৱা কথাত সন্মতি জনালে; কাৰণ তেওঁ
যাকোবৰ জীয়েকক বৰ ভাল পাইছিল। ২০ পাছত হমোৰ আৰু তেওঁৰ
পুতেক চিখিমে তেওঁলোকৰ নগৰৰ দুৱাৰ মুখলৈ গৈ নগৰৰ লোক
সকলৰ সৈতে কথোপকথন কৰিলে। ২১ তেওঁলোকে ক’লে, “এই
লোকসকল আমাৰ সৈতে মিলেৰে আছে; তেওঁলোক থাকিবৰ কাৰণে
আমাৰ দেশত যথেষ্ট এক বৃস্তিত ঠাই আছে। তেওঁলোক ইয়াতেই
থাকক আৰু বেহা-বেপাৰ কৰক। আমি তেওঁলোকৰ ছোৱালীবোৰক
বিয়া কৰাই আনিম আৰু আমাৰ ছোৱালীকো তেওঁলোকলৈ দিম। ২২
কিন্তু মাথোন এটা কথাহে আছে, তেওঁলোক যেনেকৈ চুন্নৎ হোৱা
লোক, আমি প্ৰত্যেক পুৰুষেও তেনেকৈ চুন্নৎ হলেহে তেওঁলোক আমাৰ
কথাত আমাৰ মাজত নিবাস কৰি এক জাতি হ’বলৈ মান্তি হ’ব। ২৩
তেওঁলোকৰ পশুধন আৰু সা-সম্পত্তি - অৰ্থাৎ সকলো জীৱ-জন্তুৰেই
জানো আমাৰ নহ’ব? গতিকে আহঁক, আমি তেওঁলোকৰ সেই কথাত
মান্তি হওঁহক; তাতে তেওঁলোকে আমাৰে সৈতে বাস কৰিব।” ২৪
তেতিয়া নগৰৰ সকলো মানুহে হমোৰ আৰু তেওঁৰ পুতেক চিখিমৰ
কথাত মান্তি হ’ল আৰু প্ৰত্যেক পুৰুষৰ চুন্নৎ কৰা হ’ল। ২৫ তাৰ পাছত
তৃতীয় দিনা যেতিয়া পুৰুষসকলে বিষত কষ্ট পাই আছিল, তেতিয়া
দীনাৰ ককায়েক অৰ্থাৎ যাকোবৰ দুজন পুতেক চিমিয়োন আৰু লেবীয়ে
তৰোৱাল লৈ হঠাৎ নগৰত সোমাই সকলো পুৰুষক বধ কৰিলে। ২৬
তেওঁলোকে হমোৰ আৰু চিখিমক তৰোৱালৰ ধাৰেৰে বধ কৰিলে
আৰু চিখিমৰ ঘৰৰ পৰা দীনাক উলিয়াই আনিলে। ২৭ ভনীয়েকক ভ্ৰষ্ট

কৰাৰ কাৰণে যাকোবৰ আন আন পুত্ৰসকলেও হত হোৱা লোকসকলৰ
কাষলৈ গৈ নগৰখন লুটপাত কৰিলে। ২৮ নগৰৰ ভিতৰত আৰু
পথাৰত চৰি থকা তেওঁলোকৰ যিমান মেৰ-ছাগ, ছাগলী, গৰু, গাধ
আদি আছিল, সেই সকলো তেওঁলোকে লৈ গ'ল। ২৯ তেওঁলোকে
লোকসকলৰ ধন-সম্পদ, ভাৰ্য্যা আৰু তেওঁলোকৰ শিশুসকলক বন্দী
কৰি নিলে; এনেকি ঘৰত থকা বস্তুবোৰো তেওঁলোকে লুট কৰি
নিলে। ৩০ যাকোবে চিমিয়োন আৰু লেবীক ক'লে, "তোমালোকে এই
দেশ-নিবাসী কনানীয়া আৰু পৰিজ্জীয়া লোকসকলৰ মাজত মোক
ঘৃণাৰ পাত্ৰ কৰি বিপদত পেলালা; মোৰ লোক সংখ্যাত তাকৰ। যদি
তেওঁলোকে মোৰ অহিতে একগোট হৈ মোক আক্ৰমণ কৰে, তেতিয়া
মই সপৰিবাৰে বিনষ্ট হ'ম।" ৩১ তাতে চিমিয়োন আৰু লেবীয়ে ক'লে,
"চিখিমে আমাৰ ভনীক জানো বেশ্যাৰ দৰে ব্যৱহাৰ কৰা উচিত
আছিল?"

**৩৫** তাৰ পাছত ঈশ্বৰে যাকোবক ক'লে, "উঠা, তুমি এতিয়া
বৈৎএললৈ গৈ তাত নিবাস কৰাগৈ আৰু তুমি তোমাৰ ককাই এচৌৰ
আগৰ পৰা পলাই যোৱা সময়ত, যিজন সৰ্বশক্তিমান ঈশ্বৰে তোমাক
দৰ্শন দিছিল, সেই ঈশ্বৰৰ উদ্দেশ্যে তাত এটা যজ্ঞবেদি নিৰ্ম্মাণ
কৰাগৈ।" ২ তেতিয়া যাকোবে নিজৰ পৰিয়াল আৰু তেওঁৰ লগৰ
সকলো লোকক ক'লে, "তোমালোকৰ মাজত বিদেশৰ যিবোৰ দেৱ-
দেৱী আছে, সেইবোৰ দূৰ কৰা আৰু নিজকে শুচি কৰি আন কাপোৰ
পিন্ধা। ৩ তাৰ পাছত, ব'লা আমি বৈৎএললৈ যাওঁহঁক; তাত ঈশ্বৰৰ
উদ্দেশ্যে এটা যজ্ঞবেদি নিৰ্ম্মাণ কৰিম, যিজনা ঈশ্বৰে মোৰ দুখৰ
সময়ত মোৰ প্ৰাৰ্থনাৰ উত্তৰ দিছিল আৰু মই যোৱা বাটত মোৰ
সংগত আছিল।" ৪ তেতিয়া তেওঁলোকৰ হাতত বিদেশৰ যিমানবোৰ
দেৱ-দেৱী আছিল যাকোবক দিলে। তাৰ লগতে কাণৰ কুণ্ডলবোৰো
যাকোবক দিলে; যাকোবে সেই সকলোকে লৈ চিখিম নগৰৰ ওচৰত
ওচৰৰ এলা গছজোপাৰ ত'লতে পুতি থলে। ৫ পাছত তেওঁলোকে যাত্ৰা
আৰম্ভ কৰিলে। তেওঁলোক যোৱাৰ পথত ঈশ্বৰে চাৰিওফালৰ নগৰৰ
মাজত এনে এক ভয়ৰ সৃষ্টি কৰিলে যাৰ ফলত সেই লোকসকলে

যাকোবৰ পুত্ৰসকলৰ পাছত খেদি নগ'ল। ৬ এইদৰে যাকোব আৰু
তেওঁৰ লগত থকা আনসকলো কনান দেশৰ লুজ নগৰ অৰ্থাৎ বৈৎএল
গৈ পালে। ৭ তেওঁ তাত এটা যজ্ঞবেদি নিৰ্মাণ কৰিলে। তেওঁ সেই
ঠাইৰ নাম এল বৈৎএল ৰাখিলে, কিয়নো, তেওঁ নিজৰ ককায়েকৰ
ওচৰৰ পৰা পলাই অহাৰ সময়ত, ঈশ্বৰে সেই ঠাইতে তেওঁক দৰ্শন
দিছিল। ৮ ইতিমধ্যে ৰিবেকাৰ ধাত্ৰী দবোৰাৰ মৃত্যু হ'ল। তেওঁক
বৈৎএলৰ ওচৰত থকা এজোপা ওক গছৰ তলত মৈদাম দিয়া হ'ল;
সেই কাৰণে সেই ঠাইৰ নাম অল্লোন-বাখুৎ হ'ল। ৯ পদ্দন-অৰামৰ
পৰা যাকোব উভটি অহাৰ পাছত, ঈশ্বৰে তেওঁক পুনৰায় দৰ্শন দি
আশীৰ্ব্বাদ কৰিলে। ১০ ঈশ্বৰে তেওঁক ক'লে, "তোমাৰ নাম হৈছে
যাকোব, কিন্তু তোমাক আৰু যাকোব বুলি মতা নহ'ব; তোমাৰ নাম হ'ব
ইস্ৰায়েল।" এইদৰে ঈশ্বৰে তেওঁৰ নাম ইস্ৰায়েল ৰাখিলে। ১১ ঈশ্বৰে
তেওঁক আৰু ক'লে, "ময়েই সৰ্ব্বশক্তিমান ঈশ্বৰ; তুমি বহুবংশ হৈ বাঢ়ি
বাঢ়ি যোৱা; তোমাৰ পৰা এক জাতি, এনে কি, জাতি সমূহৰ এক
সমাজ গঠন হ'ব; তোমাৰ বংশত অনেক ৰজাসকলৰ জন্ম হ'ব। ১২
মই অব্ৰাহাম আৰু ইচহাকক দিয়া দেশ তোমাক আৰু তোমাৰ পাছত
তোমাৰ ভাবী-বংশকো দিম।" ১৩ ঈশ্বৰে তেওঁৰে সৈতে কথা বতৰা
হোৱা ঠাইতে তেওঁক এৰি ওপৰলৈ উঠি গ'ল। ১৪ যাকোবে তেওঁৰে
সৈতে কথা বতৰা হোৱা সেই ঠাইতে এটা শিলৰ স্তম্ভ স্থাপন কৰিলে
আৰু তাৰ ওপৰত পেয় নৈবেদ্য উৎসৰ্গ কৰিলে। তেওঁ তাৰ ওপৰত
তেলো ঢালি দিলে। ১৫ ঈশ্বৰে সৈতে কথা বতৰা হোৱা সেই ঠাইৰ
নাম যাকোবে বৈৎএল ৰাখিলে। ১৬ তাৰ পাছত যাকোব আৰু তেওঁৰ
লোকসকলে বৈৎএলৰ পৰা যাত্ৰা কৰিলে। তেওঁলোকে ইফ্ৰাথ পাবলৈ
কিছু বাট থাকোঁতেই ৰাহেলৰ প্ৰসৱ-বেদনা আৰম্ভ হ'ল আৰু তেওঁ
বৰকৈ কষ্ট পাবলৈ ধৰিলে। ১৭ প্ৰসৱৰ কালত তেওঁৰ বেদনা যেতিয়া
ভীষণ বাঢ়ি গ'ল, তেতিয়া ধাত্ৰীয়ে তেওঁক ক'লে, "ভয় নকৰিবা;
কিয়নো এইবাৰো আপোনাৰ এটি পুত্ৰ সন্তান হ'ব।" ১৮ কিন্তু ৰাহেলৰ
মৃত্যু হ'ল। প্ৰাণত্যাগ কৰাৰ সময়ত তেওঁ সেই পুত্ৰৰ নাম বিন-ওনী
ৰাখিলে; কিন্তু তাৰ বাপেকে হ'লে তাৰ নাম বিন্যামীন ৰাখিলে।

১৯ ৰাহেলৰ মৃত্যু হোৱাৰ পাছত ইফ্ৰাথ অৰ্থাৎ বৈৎলেহেমলৈ যোৱা
বাটৰ ওচৰতে তেওঁক মৈদাম দিলে। ২০ যাকোবে তেওঁৰ মৈদামৰ
ওপৰত এটা স্তম্ভ স্থাপন কৰিলে; সেয়া আজিও ৰাহেলৰ মৈদামৰ চিহ্ন
হিচাবে সেই ঠাইত আছে। ২১ তাৰ পাছত ইস্ৰায়েলে তাৰ পৰা আকৌ
যাত্ৰা কৰিলে। তেওঁ মিকদল-এদৰ নামৰ ঠাইখন এৰি আগবাঢ়ি গৈ
তেওঁৰ তম্বু তৰিলে। ২২ ইস্ৰায়েলে সেই দেশত নিবাস কৰা সময়ত
ৰূবেণে তেওঁৰ বাপেকৰ উপপত্নী বিলহাৰ লগতে শয়ন কৰিলে; সেই
কথা ইস্ৰায়েলৰ কাণত পৰিল। যাকোবৰ পুত্ৰ আছিল বাৰজন। ২৩
লেয়াৰ গৰ্ভত যাকোবৰ জেষ্ঠ্য পুত্ৰ ৰূবেণৰ জন্ম হৈছিল। তাৰ পাছত
চিমিয়োন, লেবী, যিহূদা, ইচাখৰ আৰু জবূলূনৰ জন্ম হৈছিল। ২৪
ৰাহেলৰ গৰ্ভত তেওঁৰ পুত্ৰ যোচেফ আৰু বিন্যামীন। ২৫ ৰাহেলৰ দাসী
বিলহাৰ গৰ্ভত তেওঁৰ পুত্ৰ দান আৰু নপ্তালী। ২৬ লেয়াৰ দাসী জিল্পাৰ
গৰ্ভত তেওঁৰ পুত্ৰ গাদ আৰু আচেৰ। এইসকলেই হৈছে পদ্দন-অৰামত
জন্মা যাকোবৰ পুত্ৰ। ২৭ শেষত যাকোব কিৰিয়ৎ-অৰ্ব্ব অৰ্থাৎ হিব্ৰোণৰ
ওচৰৰ মম্ৰি নগৰত তেওঁৰ পিতৃ ইচহাকৰ ওচৰলৈ আহিল। এই ঠাইতে
অব্ৰাহাম আৰু ইচহাকে বাস কৰিছিল। ২৮ ইচহাক এশ আশী বছৰ
জীয়াই আছিল। ২৯ ইচহাকে এক পৰিপূৰ্ণ আয়ুস কটাই বৃদ্ধ হৈ মৃত্যু
বৰণ কৰি তেওঁৰ পূৰ্বপুৰুষসকলৰ ওচৰলৈ গ'ল; তাতে তেওঁৰ পুত্ৰ
এচৌ আৰু যাকোবে তেওঁক মৈদাম দিলে।

৩৬ এচৌ অৰ্থাৎ যিজনক ইদোম বোলা হয়, তেওঁৰ বংশৰ তালিকা
হৈছে এনেদৰে। ২ এচৌৱে কনানীয়া ছোৱালীবোৰক বিয়া কৰিছিল।
সেই ছোৱালীবোৰ হৈছে হিত্তীয়া এলোনৰ জীয়েক আদা; হিব্বীয়া
চিবিয়োনৰ নাতিনীয়েক অৰ্থাৎ অনাৰ জীয়েক অহলীবামা। ৩ আৰু
ইশ্মায়েলৰ জীয়েক নবায়োতৰ ভনীয়েক বাচমতকো বিয়া কৰিছিল।
৪ এইসকলৰ মাজত আদাই এচৌলৈ ইলীফজ আৰু বাচমতে ৰূৱেলক
প্ৰসৱ কৰিলে; ৫ অহলীবামাৰ ঔৰসত যিয়ূচ, যালম, আৰু কোৰহৰ
জন্ম হ'ল; কনান দেশত এচৌৰ এই সকলো পুত্ৰৰে জন্ম হ'ল। ৬ পাছত
এচৌৱে তেওঁৰ ভাৰ্য্যাসকলক, ল'ৰা-ছোৱালীক আৰু তেওঁৰ ঘৰৰ আন
সকলোৰে লগত তেওঁৰ পশুধন অৰ্থাৎ মেৰ-ছাগ, ছাগলী, গৰু আদি

অন্যান্য পশু আৰু কনান দেশত উপাৰ্জন কৰা সকলো সম্পত্তিকে লৈ
তেওঁ ভায়েক যাকোবৰ ওচৰৰ পৰা আন এক দেশলৈ গুছি গ'ল। ৭
এচৌ আৰু যাকোবৰ ধন-সম্পদ ইমান বেছি হ'ল যে তেওঁলোকৰ পক্ষে
একেলগে বাস কৰাটো সম্ভৱ নহ'ল; কিয়নো তেওঁলোক যি ঠাইত
আছিল সেই ঠাইত তেওঁলোকৰ পশুৰ জাকবোৰ চৰাবলৈ যথেষ্ট ঠাইৰ
অভাৱ আছিল। ৮ সেয়ে এচৌৱে চেয়ীৰৰ পাহাৰীয়া এলেকাত গৈ
স্থায়ীভাৱে বাস কৰিবলৈ ধৰিলে; সেই এচৌৰ আন এটা নাম আছিল
ইদোম। ৯ চেয়ীৰৰ পাহাৰীয়া এলেকাত ইদোমীয়াসকলৰ ওপৰপিতৃ
এচৌৰ বংশৰ তালিকা হৈছে এনেধৰণৰ। ১০ এচৌৰ পুত্ৰসকলৰ
নাম ইলীফজ আৰু ৰূৱেল। ইলীফজ আদাৰ পুত্ৰ আৰু ৰূৱেল এচৌৰ
বাচমতৰ পুত্ৰ। ১১ ইলীফজৰ পুত্ৰসকল হ'ল তৈমন, ওমাৰ, চফো,
গয়িতম আৰু কনজ। ১২ এচৌৰ পুত্ৰ ইলীফজৰ তিম্না নামেৰে এজনী
উপপত্নী আছিল। তেওঁৰ গৰ্ভত অমালেকৰ জন্ম হ'ল; এই সকলোৱেই
এচৌৰ ভাৰ্য্যা আদাৰ পো-নাতি। ১৩ ৰূৱেলৰ পুত্ৰসকল হ'ল নহৎ,
জেৰহ, চম্মা আৰু মিজ্জা; এই সকলোৱেই এচৌৰ ভাৰ্য্যা বাচমতৰ
পো-নাতি। ১৪ চিবিয়োনৰ নাতিনী অৰ্থাৎ অনাৰ জীয়েক আৰু এচৌৰ
ভাৰ্য্যা অহলীবামাই এচৌলৈ প্ৰসৱ কৰা পুত্ৰসকল হ'ল যিয়ূচ, যালম
আৰু কোৰহ। ১৫ এচৌৰ বংশৰ সন্তান সকলৰ মাজত এইসকলেই
অধিপতি হৈছিল - এচৌৰ জ্যেষ্ঠ পুত্ৰ ইলীফজৰ বংশৰ পৰা হোৱা
অধিপতিসকল হ'ল- তৈমন, ওমাৰ, চফো, কনজ অধিপতি। ১৬
কোৰহ, গয়িতম, অমালেক অধিপতি; ইলীফজৰ বংশৰ পৰা, ইদোম
দেশত এওঁলোকেই অধিপতি হ'ল। এইসকল আদাৰ পো-নাতি
আছিল। ১৭ এচৌৰ পুত্ৰ ৰূৱেলৰ বংশৰ পৰা হোৱা অধিপতিসকল
হ'ল: নহৎ, জেৰহ, চম্মা আৰু মিজ্জা; ৰূৱেলৰ বংশৰ পৰা ইদোম
দেশত এওঁলোক অধিপতি হ'ল। এইসকল এচৌৰ ভাৰ্য্যা বাচমতৰ
পো-নাতি আছিল। ১৮ এচৌৰ ভাৰ্য্যা অহলীবামাৰ বংশত এইসকল
অধিপতি হ'ল: যিয়ূচ, যালম আৰু কোৰহ; অনাৰ জীয়েক এচৌৰ
ভাৰ্য্যা অহলীবামাৰ বংশৰ পৰা এইসকলেই অধিপতি হৈছিল। ১৯
এওঁলোকেই এচৌ অৰ্থাৎ ইদোমৰ সন্তান আৰু তেওঁলোকই নিজৰ

বংশৰ অধিপতি আছিল। ২০ সেই ঠাইৰ বাসিন্দা হোৰীয়া চেয়ীৰৰ সন্তান সকলৰ নাম লোটন, চোবল, চিবিয়োন, অনা, ২১ দিচোন, এচৰ আৰু দীচন। ইদোমত চেয়ীৰৰ এইসকল সন্তানেই হোৰীয়া বংশৰ অধিপতি হ'ল। ২২ লোটনৰ পুত্ৰসকলৰ নাম হোৰী আৰু হেমম; লোটনৰ ভনীয়েকৰ নাম তিম্না। ২৩ চোবলৰ পুত্ৰসকলৰ নাম: অলবন, মানহৎ, এবল, চফো, আৰু ওনম। ২৪ চিবিয়োনৰ পুত্ৰসকলৰ নাম: অয়া আৰু অনা; এই অনাই পিতৃ চিবিয়োনৰ গাধ চৰাওঁতে মৰুপ্ৰান্তৰৰ মাজত গৰম পানীৰ জুৰি পালে। ২৫ এই অনাৰ পুত্ৰৰ নাম দীচন আৰু জীয়েকৰ নাম অহলীবামা। ২৬ দীচনৰ পুত্ৰসকলৰ নাম হিমদন, ইচবন, যিত্ৰন আৰু কৰান। ২৭ এচৰৰ পুত্ৰ বিলহন, জাবন, আৰু অকন। ২৮ দীচনৰ পুত্ৰ উচ আৰু অৰান। ২৯ হোৰীয়াৰ অধিপতিসকলৰ নাম আছিল: লোটন, চোবল, চিবিয়োন, অনা, ৩০ দিচোন, এচৰ আৰু দীচন; এইসকলেই চেয়ীৰ দেশত বংশৰ তালিকা অনুসাৰে হোৰীয়া জাতিৰ অধিপতি আছিল। ৩১ ইস্ৰায়েলীসকলৰ মাজত কোনো ৰজাই ৰাজত্ব কৰাৰ আগতে, ইদোম দেশত যি সকল ৰজাই ৰাজত্ব কৰিছিল, তেওঁলোক হ'ল: ৩২ বিয়োৰৰ পুত্ৰ বিলাই ইদোমত ৰাজত্ব কৰিছিল; তেওঁৰ নগৰৰ নাম আছিল দিনহাবা। ৩৩ বিলাৰ মৃত্যুৰ পাছত তেওঁৰ ঠাইত বস্ৰা নগৰৰ জেৰহৰ পুত্ৰ যোববে ৰাজত্ব কৰিছিল। ৩৪ যোববৰ মৃত্যুৰ পাছত তেওঁৰ ঠাইত তৈমনীয়াসকলৰ দেশৰ হূচমে ৰাজত্ব কৰিছিল। ৩৫ হূচমৰ মৃত্যুৰ পাছত তেওঁৰ ঠাইত বদদৰ পুত্ৰ হদদে ৰাজত্ব কৰিছিল। তেওঁ মোৱাব দেশত মিদিয়নীয়সকলক পৰাজয় কৰিছিল; তেওঁৰ নগৰৰ নাম আছিল অবীৎ। ৩৬ যেতিয়া হদদৰ মৃত্যু হ'ল, তেতিয়া তেওঁৰ ঠাইত মস্ৰেকাৰ চম্লাই ৰাজত্ব কৰিছিল। ৩৭ চম্লাৰ মৃত্যু হ'লত, তেওঁৰ ঠাইত ফৰাৎ নদীৰ ওচৰৰ ৰহোবোতীয়া চৌলে ৰাজত্ব কৰিছিল। ৩৮ চৌলৰ মৃত্যু পাছত তেওঁৰ ঠাইত অকবোৰৰ পুত্ৰ বাল-হাননে ৰাজত্ব কৰিছিল। ৩৯ অকবোৰৰ পুত্ৰ বাল-হাননৰ মৃত্যু পাছত তেওঁৰ ঠাইত হদৰে ৰাজত্ব কৰিছিল; তেওঁৰ নগৰৰ নাম পাউ আছিল; তেওঁৰ ভাৰ্যাৰ নাম আছিল মহেটবেল। তেওঁ মট্ৰেদৰ জীয়েক আৰু মে-জাহবৰ নাতিনীয়েক। ৪০ এচৌৰ বংশৰ যি সকল

লোক অধিপতি আছিল, সেইসকলৰ নাম: তিম্না, অলবা, যিথেৎ, ৪১
অহলীবামা, এলা, পীনোন, ৪২ কনজ, তৈমন, মিবচৰ, ৪৩ মগ্দীয়েল
আৰু ঈৰম; এওঁলোক আছিল ইদোমীয়সকলৰ পূৰ্বপুৰুষ এচৌৰ বংশৰ
লোক ইদোমৰ অধিপতি। দেশৰ যিবোৰ ঠাইত তেওঁলোকে বাস
কৰিছিল, তেওঁলোকৰ নাম অনুসাৰে সেই সকলো ঠাইৰ নাম দিয়া
হৈছিল।

**৩৭** যাকোব কনান দেশত বাস কৰিবলৈ ধৰিলে। তেওঁৰ পিতৃয়েও
কনান দেশত বাস কৰিছিল। ২ যাকোবৰ বংশৰ বৃত্তান্ত এইধৰণৰ।
যোচেফ যেতিয়া সোঁতৰ বছৰ বয়সৰ এজন যুবক, তেতিয়া তেওঁ
ককায়েকসকলৰ সৈতে পশুৰ জাকবোৰ চৰাইছিল। তেওঁ মাহী মাক
বিলহা আৰু জিল্পাৰ পুতেকসকলৰ লগত আছিল আৰু বাপেকৰ
আগত তেওঁলোকৰ বেয়া কাৰ্যবোৰৰ বিষয়ে সংবাদ দিছিল। ৩
বৃদ্ধ বয়সত হোৱা পুত্ৰ দেখি ইস্ৰায়েলে যোচেফক আন সকলো
পুতেকতকৈ তেওঁক অধিক স্নেহ কৰিছিল। তেওঁ তেওঁক এটা ধুনীয়া
দীঘল চোলা তৈয়াৰ কৰি দিছিল। ৪ ককায়েকসকলে যেতিয়া বুজিলে
যে পিতৃয়ে তেওঁলোকতকৈ যোচেফক অধিক স্নেহ কৰে, তেতিয়া
তেওঁলোকে যোচেফক ঘৃণা কৰিবলৈ ধৰিলে আৰু সেয়ে, তেওঁলোকে
তেওঁক মৰমেৰে কথা কবলৈও নিবিচাৰিলে। ৫ এদিন যোচেফে এটা
সপোন দেখিলে আৰু তেওঁ সেই সপোনৰ বিষয়ে ককায়েকসকলক
কোৱাত তেওঁলোকে তেওঁক অধিক বেছিকৈ ঘৃণা কৰিবলৈ ধৰিলে। ৬
যোচেফে তেওঁলোকক ক'লে, "শুনা, মই এটা সপোন দেখিলোঁ। ৭
মই দেখিলোঁ যে আমি পথাৰত কাটি থোৱা শস্যৰ মুঠি বান্ধিছিলোঁ;
তাতে মোৰ মুঠিটো পোন হৈ উঠি থিয় হ'ল; তাৰ পাছত তোমালোকৰ
মুঠিবোৰে মোৰ মুঠিৰ চাৰিওফালে থিয় হৈ প্ৰণিপাত কৰিলে।" ৮ তাতে
তেওঁৰ ককায়েকসকলে তেওঁক ক'লে, "তেনেহ'লে তই সচাঁকৈয়ে
আমাৰ ওপৰত ৰজা হবি নেকি? আমাৰ ওপৰত সঁচাই তই অধিকাৰ
চলাবি নেকি?" এইদৰে তেওঁৰ সপোন, আৰু তেওঁৰ কথাৰ কাৰণে
ককায়েকসকলে আৰু অধিককৈ তেওঁক ঘিণ কৰিলে। ৯ পাছত
যোচেফে আন এটা সপোন দেখিলে আৰু তেওঁৰ ককায়েকসকলক

তাক ক’লে। তেওঁ ক’লে, “শুনা, মই আন এটা সপোন দেখিলোঁ; মই
দেখিলোঁ যে সূৰ্য, চন্দ্ৰ আৰু এঘাৰটা তৰাই মোৰ আগত প্ৰণিপাত
কৰিলে।” ১০ তেওঁ এই সপোনৰ কথা ককায়েকসকলক কোৱাৰ
দৰে বাপেককো কোৱাত বাপেকে তেওঁক ধমকি দি ক’লে, “তই
এইটো কি সপোন দেখিলি? তোৰ মাৰ, মই আৰু ককায়েৰহঁতে তোৰ
আগত মাটিত পৰি প্ৰণিপাত কৰিবলৈ আহিম নে?” ১১ তাতে তেওঁৰ
ককায়েকসকলে তেওঁক হিংসা কৰিলে; কিন্তু বাপেকে হ’লে সেই কথা
মনত ৰাখিলে। ১২ পাছত যোচেফৰ ককায়েকসকলে তেওঁলোকৰ
বাপেকৰ পশুৰ জাকবোৰ চৰাবলৈ চিখিমলৈ গৈছিল। ১৩ ইস্ৰায়েলে
যোচেফক ক’লে, “তোমাৰ ককায়েৰাসকলে চিখিমত পশুৰ জাকবোৰ
জানো চৰাই থকা নাই? আহাঁ, মই তোমাক সিহঁতৰ ওচৰলৈ পঠাম।”
তাতে যোচেফে তেওঁক ক’লে “ঠিক আছে, মই যাবলৈ প্ৰস্তুত আছোঁ।”
১৪ তেতিয়া বাপেকে তেওঁক ক’লে, “তুমি গৈ তোমাৰ ককায়েৰাহঁত
আৰু পশুৰ জাকবোৰ কুশলে আছে নে নাই, সেই সংবাদ লৈ আহি
মোক দিবা।” ইয়াকে কৈ যাকোবে যোচেফক হিব্ৰোণ উপত্যকাৰ পৰা
পঠালে আৰু যোচেফও চিখিমলৈ গ’ল। ১৫ কোনো এজন মানুহে
যোচেফক পথাৰৰ মাজত ঘূৰি ফুৰা দেখি সুধিলে, “তুমি কি বিচাৰি
ফুৰিছা?” ১৬ যোচেফে ক’লে, “মই মোৰ ককাইহঁতক বিচাৰি আছোঁ;
দয়া কৰি আপুনি মোক কবনে তেওঁলোকে ক’ত পশুৰ জাকক চৰাই
আছে?” ১৭ মানুহজনে ক’লে, “এই ঠাই এৰি তেওঁলোক গুছি গ’ল;
মই তেওঁলোকে এইবুলি কোৱা শুনিছিলো, ‘ব’লা, আমি দোথানলৈ
যাওঁ’।” তাতে যোচেফে তেওঁৰ ককায়েকসকলৰ পাছত গৈ দোথানত
তেওঁলোকক বিচাৰি পালে। ১৮ যোচেফক ককায়েকসকলে দূৰৰ
পৰাই দেখা পালে আৰু তেওঁলোকৰ ওচৰলৈ আহি পোৱাৰ আগেয়েই,
তেওঁক বধ কৰাৰ ষড়যন্ত্ৰ কৰিলে। ১৯ তেওঁলোকে ইজনে সিজনক
ক’লে, “সৌটো চা, সপোন দেখাটো আহিছে। ২০ ব’লা এতিয়াই আমি
তাক বধ কৰি, কোনো এটা গাতত পেলাই দিওঁ আৰু পাছত আমি
ক’ম, কোনো হিংস্ৰ জন্তুৱে তাক খালে। তেতিয়া তাৰ সপোনবোৰ
কি হয়, আমি চাম।” ২১ কিন্তু ৰূবেণে সেই কথা শুনি তেওঁলোকৰ

হাতৰ পৰা তেওঁক ৰক্ষা কৰি ক’লে, “নহয়, আমি তাৰ প্ৰাণ নলওঁ।”
২২ ৰূবেণে তেওঁলোকক ক’লে, “ৰক্তপাত নকৰোঁ। তেওঁৰ শৰীৰত
হাত নুতুলাকৈয়ে বৰং তেওঁক এই মৰুপ্ৰান্তৰৰ এটা গাতত পেলাই
দিয়া”- পাছত যোচেফক তেওঁলোকৰ হাতৰ পৰা উদ্ধাৰ কৰি যেন
পিতৃৰ ওচৰলৈ আনি ঘূৰাই দিব এই মনেৰে তেওঁ এই কথা ক’লে।
২৩ যোচেফ তেওঁৰ ককায়েকসকলৰ ওচৰ পালত তেওঁলোকে তেওঁৰ
গাৰ পৰা পিন্ধি থকা দীঘল চোলাটো জোৰেৰে সোলোকাই ল’লে। ২৪
তাৰ পাছত তেওঁলোকে তেওঁক ধৰি গাতৰ ভিতৰত পেলাই দিলে;
সেই গাতটো পানী নথকা এটা শুকান গাত আছিল। ২৫ তাৰ পাছত
তেওঁলোকে ভোজন কৰিবলৈ বহিল; তেনেতে তেওঁলোকে চকু তুলি
চাই দেখিলে যে, গিলিয়দৰ পৰা ইশ্মায়েলীয়া এক ব্যৱসায়ী দল আহি
আছে। উটৰ পিঠিত তেওঁলোকে মা-মচলা, বিষ নিৰাময়ৰ সুগন্ধি
মলম আৰু গন্ধৰস লৈ মিচৰ দেশলৈ নামি যাবলৈ আহি আছিল। ২৬
তেতিয়া যিহূদাই তেওঁৰ ককায়েকসকলক ক’লে, “আমি ভাইক বধ
কৰি তাৰ তেজ লুকুৱাই ৰাখিলে আমাৰ কি লাভ হ’ব? ২৭ কাৰণ সি
আমাৰ নিজৰে ভাই আৰু আমাৰ মঙহো। সেয়ে তাৰ শৰীৰত হাত নিদি
বৰং আহাঁ, আমি তাক এই ইশ্মায়েলীয়াসকলৰ ওচৰত বিক্ৰী কৰোঁ।”
ককায়েকসকল তেওঁৰ এই কথাত মান্তি হ’ল। ২৮ সেই মিদিয়নীয়া
ব্যৱসায়ীসকল ওচৰেদি পাৰ হোৱাত, তেওঁলোকে যোচেফক গাতৰ
পৰা টানি ওপৰলৈ উঠালে আৰু বিশ চেকল ৰূপৰ বিনিময়ত যোচেফক
ইশ্মায়েলীয়াসকলৰ ওচৰত বিক্ৰী কৰিলে। তাতে সেই ব্যৱসায়ীসকলে
যোচেফক মিচৰ দেশলৈ লৈ গ’ল। ২৯ পাছত ৰূবেণে গাতৰ ওচৰলৈ
গৈ যোচেফক গাতত নেদেখি দুখতে নিজৰ কাপোৰ ফালিলে। ৩০
তেওঁ ভায়েকসকলৰ ওচৰলৈ গৈ ক’লে, “যোচেফ ক’লৈ গ’ল - তাতটো
নাই; এতিয়া মই কলৈ যাম?” ৩১ তেতিয়া তেওঁলোকে এটা ছাগলী
মাৰি তাৰ তেজত যোচেফৰ সেই চোলাটো জুবুৰিয়ালে। ৩২ পাছত
তেওঁলোকে চোলাটো বাপেকৰ ওচৰলৈ আনি ক’লে, “এইটো আমি
পালোঁ; চাওকচোন, এইটো আপোনাৰ পুত্ৰৰ চোলা হয় নে নহয়।” ৩৩
যাকোবে চোলাটো চিনি পায় ক’লে, “এইটো মোৰ পুত্ৰৰেই চোলা হয়;

কোনো হিংস্ৰ জন্তুৱে তাক খালে; নিশ্চয়ে জন্তুটোৱে যোচেফক ডোখৰ
ডোখৰ কৰি ফালি পেলালে।” ৩৪ তেতিয়া যাকোবে নিজৰ কাপোৰ
ফালি কঁকালত চট পিন্ধি বহুদিনলৈকে পুতেকৰ কাৰণে শোক কৰিলে।
৩৫ তেওঁৰ পুতেক জীয়েক আটাইবোৰে আহি তেওঁক শান্তনা দিবলৈ
ধৰিলে; কিন্তু তেওঁ কোনো শান্তনাই নুশুনিলে। তেওঁ ক'লে, “শোক
কৰিয়েই মই চিয়োললৈ মোৰ পুত্ৰৰ ওচৰলৈ যাম।” এইবুলি কৈয়ে
যোচেফৰ কাৰণে যাকোবে ক্ৰন্দন কৰিবলৈ ধৰিলে। **(Sheol h7585)** ৩৬
আনফালে, সেই মিদিয়নীয়াসকলে যোচেফক মিচৰ দেশলৈ লৈ গৈ
পোটিফৰৰ ওচৰত বিক্ৰি কৰিলে। পোটিফৰ আছিল ফৰৌণ ৰজাৰ
এজন বিষয়া, ৰক্ষকৰ প্ৰধান সেনাপতি।

**৩৮** পাছত যিহূদাই তেওঁৰ ভায়েক ককায়েকসকলক এৰি অদুল্লমীয়া
হীৰা নামৰ এজন লোকৰ লগত বাস কৰিলেগৈ। ২ সেই ঠাইত যিহূদাই
চুৱা নামৰ কোনো এজন কনানীয়া মানুহৰ ছোৱালীক দেখা পাই তেওঁ
সেই ছোৱালীজনীক বিয়া কৰিলে আৰু তাইৰ সৈতে শয়ন কৰিলে। ৩
পাছত তাই গৰ্ভৱতী হৈ এটি পুত্ৰ প্ৰসৱ কৰিলে আৰু ল'ৰাটিৰ নাম এৰ
ৰাখিলে। ৪ পুনৰায় তাই গৰ্ভৱতী হৈ এটি পুত্ৰ প্ৰসৱ কৰি তাৰ নাম
ওনন ৰাখিলে। ৫ তাই পুনৰ এটি পুত্ৰ প্ৰসৱ কৰিলে আৰু তাৰ নাম
চেলা ৰাখিলে; তাই এই পুত্ৰ কজীবত থকাৰ সময়ত প্ৰসৱ কৰিলে। ৬
পাছত যিহূদাই তেওঁৰ জেষ্ঠ্য পুত্ৰ এৰৰ লগত তামাৰ নামেৰে এজনী
ছোৱালীক বিয়া কৰাই দিলে। ৭ কিন্তু যিহূদাৰ জ্যেষ্ঠ পুত্ৰ এৰ যিহোৱাৰ
দৃষ্টিত দুষ্ট হোৱাত যিহোৱাই তাক বিনষ্ট কৰিলে। ৮ তেতিয়া যিহূদাই
ওননক ক'লে, “তুমি তোমাৰ ককায়েৰাৰ ভাৰ্য্যাক বিয়া কৰোঁৱা।
দেওৰেক হিচাবে তুমি তাইলৈ কৰিবলগীয়া কৰ্তব্য কৰা আৰু তোমাৰ
ককায়েৰাৰ বংশ বৃদ্ধি কৰা।” ৯ কিন্তু ওননে জানিছিল যে, সেই
বংশ তেওঁৰ নিজৰ নহ'ব। সেয়ে ককায়েকৰ হৈ বংশ ৰক্ষা নকৰাৰ
উদ্দেশ্যেৰে বৌৱেকৰ লগত শয়ন কৰা কালত তেওঁ মাটিতে বীৰ্য্যপাত
কৰিলে। ১০ তেওঁ কৰা কাৰ্য্য যিহোৱাৰ দৃষ্টিত দুষ্টতা আছিল। সেয়ে
যিহোৱাই তেওঁকো বিনষ্ট কৰিলে। ১১ তেতিয়া যিহূদাই নিজৰ পো-
বোৱাৰী তামাৰক ক'লে, “যেতিয়ালৈকে মোৰ পুত্ৰ চেলা ডাঙৰ নহয়,

তেতিয়ালৈকে তুমি তোমাৰ পিতৃৰ ঘৰত বিধৱা হিচাবে থাকাগৈ।” কিয়নো তেওঁ ভাবিছিল, “কিজানি চেলাৰো ককায়েকহঁতৰ দৰে মৃত্যু হ’ব।” তাতে তামাৰে নিজৰ পিতৃৰ ঘৰত গৈ বাস কৰিলে। ১২ পাছত কালক্রমে যিহূদাৰ ভাৰ্য্যা অৰ্থাৎ চুৱাৰ জীয়েকৰ মৃত্যু হ’ল। যিহূদাৰ শোক প্ৰকাশৰ দিন শেষ হোৱাত, যিহূদা আৰু তেওঁৰ অদুল্লমীয়া বন্ধু হীৰা তিম্নালৈ যিহূদাৰ মেৰ-ছাগৰ নোম কটা লোকসকলৰ ওচৰলৈ গ’ল। ১৩ তেতিয়া কোনোৱে তামাৰক ক’লে, “শুনা, তোমাৰ শহুৰ দেউতাই নিজৰ মেৰৰ নোম কটাবলৈ তিম্নালৈ গৈছে।” ১৪ তাকে শুনি তামাৰে বিধৱা-বস্ত্র সোলোকাই থৈ, ওৰণিৰে মুখ ঢাকি, গাত কাপোৰ মেৰিয়াই ঐনয়িমৰ দুৱাৰমুখত বহি থাকিল; ঐনয়িম তিম্নালৈ যোৱা বাটৰ ওচৰত আছিল। কিয়নো তাই মন কৰিছিল যে, চেলা ডাঙৰ হোৱাটো তেওঁৰ সৈতে তাইক বিয়া নিদিলে। ১৫ তেতিয়া যিহূদাই তাইক দেখি বেশ্যা বুলি জানিলে; কিয়নো তাই নিজ মুখ ঢাকি ৰাখিছিল। ১৬ তাতে তেওঁ বাটৰ দাঁতিলৈ তাইৰ ওচৰলৈ গৈ, তাইক নিজ পো-বোৱাৰীয়েক বুলি নেজানি তাইক ক’লে, “আহাঁ, মই তোমাৰ লগত শয়ন কৰোঁ।” তাতে তামাৰে ক’লে, “মোৰ লগত শয়ন কৰাৰ বাবদ আপুনি মোক কি দিব?” ১৭ তেওঁ ক’লে, “মোৰ জাকৰ পৰা এটা ছাগলী পোৱালি পঠাই দিম।” তাতে তাই ক’লে, “তাক পঠাই নিদিয়েমানে মোৰ ইয়াত কিবা বন্ধক ৰাখি যাবনে?” ১৮ যিহূদাই ক’লে, “কি বন্ধক ৰাখিম?” তাই ক’লে, “জৰীডালেৰে সৈতে আপোনাৰ মোহৰটো আৰু আপোনাৰ হাতত থকা লাখুটিডাল ৰাখক।” তেতিয়া তেওঁ তাইক সেইবোৰ দি তাইৰ লগত শয়ন কৰিলে; তাৰফলত তাই তেওঁৰ দ্বাৰা গৰ্ভৱতী হ’ল। ১৯ পাছত তামাৰে উঠি গুচি গ’ল আৰু ওৰণি গুচাই নিজৰ বিধৱা-বস্ত্র পিন্ধিলে। ২০ যিহূদাই সেই মহিলাৰ হাতৰ পৰা বন্ধক মোকোলাই নিবলৈ, তেওঁৰ বন্ধু অদুল্লমীয়াৰ হাতত নিজৰ জাকৰ পৰা ছাগলী পোৱালিটো পঠাই দিলে। কিন্তু তেওঁ আহি তাইক নেপালে। ২১ তেতিয়া তেওঁ সেই ঠাইৰ লোকসকলক সুধিলে, “ঐনয়িমৰ বাটৰ ওচৰত যি মন্দিৰৰ দেৱদাসী আছিল, তাই ক’ত?” তেওঁলোকে ক’লে, “ইয়াত কোনো দেৱদাসী নাই।” ২২ তেতিয়া তেওঁ

যিহূদাৰ ওচৰলৈ উভটি গৈ ক'লে, "মই তাইক বিচাৰি নাপালোঁ। সেই
ঠাইৰ মানুহেও ক'লে যে, 'তাত কোনো দেৱদাসী নাই'।" ২৩ যিহূদাই
ক'লে, "তেন্তে সেই বন্ধকৰ বস্তুবোৰ তাইৰ লগতে থাকক, নহলে
আমাক লাজত পেলাব; মইতো ছাগলী পোৱালি পঠায়েই দিছিলোঁ,
কিন্তু তুমি তাইক বিচাৰি নাপালা।" ২৪ ইয়াৰ তিনি মাহৰ পাছত
যিহূদাই এই খবৰ পালে যে, "আপোনাৰ বোৱাৰী তামাৰে ব্যভিচাৰ
কৰিছে; ব্যভিচাৰত তাই গৰ্ভৱতীও হ'ল।" তেতিয়া যিহূদাই ক'লে,
"তাইক উলিয়াই আনি পুৰি পেলোৱা হওঁক।" ২৫ পাছে তাইক যেতিয়া
বাহিৰলৈ অনা হ'ল, তাই শহুৰেকলৈ এই বাৰ্তা পঠালে, "মোৰ গৰ্ভত
যিজনৰ সন্তান আছে, এইবোৰ তেওঁৰ বস্তু।" তাই আৰু ক'লে, "দয়া
কৰি এই জৰীৰে সৈতে মোহৰ আৰু লাখুটি কাৰ, তাক এবাৰ পৰীক্ষা
কৰি চাওঁক।" ২৬ তেতিয়া যিহূদাই সেইবোৰ চিনি পাই ক'লে, "তাই
মোৰ তুলনাত অধিক ধাৰ্মিক; কিয়নো মই তাইক মোৰ পুত্ৰ চেলাৰ
সৈতে বিয়া নিদিলোঁ।" তাৰ পিছত যিহূদাই আৰু তাইৰ সৈতে পুনৰ
শয়ন নকৰিলে। ২৭ পাছত তাইৰ প্ৰসৱৰ কাল ওচৰ হোৱাত দেখা
গ'ল তামাৰৰ গৰ্ভত এহাল যঁজা ল'ৰা আছে। ২৮ জন্ম হওঁতে, এটা
সন্তানে তাৰ হাতখন বাহিৰ কৰিলে; তেতিয়া ধাত্ৰীয়ে এডাল ৰঙা সূতা
লৈ তাৰ সেই হাতত বান্ধি ক'লে, "এইটোৰ জন্ম প্ৰথমে হৈছে।" ২৯
কিন্তু সি যেতিয়া নিজৰ হাতখন ভিতৰলৈ সুমুৱাই নিলে, তেতিয়াই
তাৰ ভায়েক প্ৰথমে বাহিৰ ওলাই আহিল; তাতে ধাত্ৰীয়ে ক'লে, "তুমি
কেনেকৈ ভেদ ভাঙি ওলাই আহিলা!" এই কাৰণে তেওঁৰ নাম পেৰচ
ৰখা হ'ল। ৩০ পাছত হাতত ৰঙা সূতা বন্ধা তাৰ ভায়েক বাহিৰ হ'ল
আৰু তাৰ নাম জেৰহ ৰাখিলে।

**৩৯** যোচেফক মিচৰ দেশলৈ লৈ যোৱা হ'ল। ইশ্মায়েলীয়াসকলে
যোচেফক মিচৰ দেশলৈ আনিছিল আৰু তাত ফৰৌণ ৰজাৰ পোটিফৰ
নামৰ এজন মিচৰীয় বিষয়াই যোচেফক তেওঁলোকৰ পৰা কিনি
লৈছিল। পোটিফৰ ফৰৌণ ৰজাৰ ৰক্ষক-সেনাপতি আছিল। ২ যিহোৱা
যোচেফৰ সংগে সংগে থকাত তেওঁ এজন সফল ব্যক্তি হৈছিল। তেওঁ
তেওঁৰ মিচৰীয় প্ৰভুৰ ঘৰত আছিল। ৩ যিহোৱা যে তেওঁৰ সংগে

সংগে আছে আৰু তেওঁ কৰা সকলো কাৰ্যকে যিহোৱাই যে সফল
কৰি তুলিছে, তাক তেওঁৰ প্ৰভুৱে দেখিছিল। ৪ যোচেফে পোটিফৰৰ
দৃষ্টিত অনুগ্ৰহ পাই তেওঁ তেওঁৰ ব্যক্তিগত পৰিচাৰক হ'ল; তাতে
পোটিফৰে যোচেফক নিজৰ ঘৰৰ অধ্যক্ষ পাতিলে আৰু তেওঁৰ যি যি
আছিল, সেই সকলোৰে দেখা-শুনাৰ ভাৰও তেওঁৰ অধীনত দিলে। ৫
যোচেফক তেওঁ নিজ ঘৰ আৰু সৰ্বস্বৰ ওপৰত অধ্যক্ষ পতাৰ পাছৰ
পৰাই যোচেফৰ কাৰণে যিহোৱাই সেই মিচৰীয়ৰ ঘৰক আশীৰ্ব্বাদ
কৰিলে; তাতে পোটিফৰৰ ঘৰ-বাৰী আৰু খেতি-পথাৰ সকলোৰে
ওপৰত যিহোৱাৰ আশীৰ্ব্বাদ কৰিবলৈ ধৰিলে। ৬ সেয়ে পোটিফৰে
নিজৰ সৰ্ব্বস্ব যোচেফৰ তত্ত্বাৱধানত শোধাই দিলে। কেৱল নিজৰ
খোৱা আহাৰৰ বাহিৰে পোটিফৰে আৰু আন একো চিন্তা নকৰিছিল।
গঠণত যোচেফ সুন্দৰ আৰু দেখনীয়া আছিল। ৭ কিছুদিনৰ পাছতে,
যোচেফৰ ওপৰত তেওঁৰ প্ৰভুৰ ভাৰ্য্যাৰ দৃষ্টি পৰিল। তেওঁ যোচেফক
ক'লে, “মোৰ লগত শয়ন কৰাহি।” ৮ কিন্তু তেওঁ সেই কথাত ৰাজী
নহ'ল। তেওঁ নিজ প্ৰভুৰ ভাৰ্য্যাক ক'লে, “চাওঁক, এই ঘৰত মই যি
কৰোঁ, মোৰ প্ৰভুৱে তাৰ একোৰে বিচাৰ নলয়; তেওঁ মোৰ হাতত
তেওঁৰ সৰ্ব্বস্ব শোধাই দিলে। ৯ এই ঘৰত মোৰ ওপৰত আন কোনো
নাই; তেওঁ মোক নিদিয়াকৈ একোকে ধৰি ৰখা নাই; কিন্তু কেৱল
আপোনাকহে মোক দিয়া নাই; কাৰণ আপুনি তেওঁৰ ভাৰ্যা; তেন্তে মই
কেনেকৈ ইমান ডাঙৰ এটা জঘন্য কাম কৰি ঈশ্বৰৰ বিৰুদ্ধে পাপ কৰিব
পাৰোঁ?” ১০ পোটিফৰৰ ভাৰ্য্যাই দিনে দিনে যোচেফক এই কথা কৈ
থাকিবলৈ ধৰিলে। কিন্তু যোচেফে তেওঁৰ লগত শয়ন কৰিবলৈ, এনেকি
তাইৰ ওচৰত থাকিবলৈও তেওঁ মান্তি নহ'ল। ১১ এদিনাখন নিজৰ
কোনো কাৰ্যৰ বাবে যোচেফ ঘৰৰ ভিতৰলৈ গৈছিল। তেতিয়া ঘৰৰ
কোনো মানুহ সেই ঠাইত নাছিল। ১২ পোটিফৰৰ ভাৰ্য্যাই যোচেফক
তেওঁৰ কাপোৰত ধৰি টানি ক'লে, “মোৰে সৈতে শয়ন কৰাহি।” কিন্তু
যোচেফে কাপোৰখন তাইৰ হাততে এৰি থৈ বাহিৰলৈ পলাই গ'ল।
১৩ তাতে তাইৰ হাতত যোচেফে নিজৰ কাপোৰ এৰি থৈ বাহিৰলৈ
পলাই যোৱা দেখি, ১৪ তাইৰ ঘৰৰ মানুহবোৰক তাই মাতিবলৈ

ধৰিলে আৰু সিহঁতক ক'লে, "চোৱাচোন, আমাক অপমানিত কৰিবৰ কাৰণেহে মোৰ স্বামীয়ে এই ইব্ৰীয়া মানুহক আমাৰ ইয়ালৈ আনিছে; সি মোৰ ওচৰলৈ মোৰ লগত শোৱাৰ উদ্দেশ্যেৰে আহিছিল; সেয়ে মই বৰকৈ চিঞঁৰ মাৰি উঠিলোঁ; ১৫ মই চিঞৰ-বাখৰ কৰা শুনি, সি তাৰ কাপোৰ মোৰ ওচৰতে এৰি থৈ বাহিৰলৈ পলাই গ'ল।" ১৬ যোচেফৰ প্ৰভু ঘৰলৈ নহা পৰ্যন্ত কাপোৰখন তাই নিজৰ ওচৰতে ৰাখিলে। ১৭ পাছত তাই পোটিফৰৰ ওচৰত এই কথা কবলৈ গৈ ক'লে, "তুমি যি ইব্ৰীয়া দাসক আমাৰ ইয়ালৈ আনি ৰাখিছা, সি মোক অপমান কৰিবলৈ মোৰ ইয়ালৈ সোমাই আহিছিল; ১৮ কিন্তু মই চিঞৰ-বাখৰ কৰাত সি মোৰ ওচৰত নিজৰ কাপোৰ এৰি বাহিৰলৈ পলাই গ'ল।" ১৯ যোচেফৰ প্ৰভুৱে যেতিয়া নিজৰ ভাৰ্য্যাৰ মুখেৰে "তোমাৰ দাসে মোলৈ এনেধৰণৰ ব্যৱহাৰ কৰিছে" বুলি শুনিলে, তেওঁ খঙত জ্বলি উঠিল। ২০ সেয়ে, তেওঁ যোচেফক ধৰি নি যি ঠাইত ৰজাৰ বন্দীবোৰক ৰখা হয়, তেওঁক সেই কাৰাগাৰত আটক কৰি থলে; তাতে তেওঁ কাৰাগাৰতে থাকিল। ২১ কিন্তু যিহোৱা যোচেফৰ সংগে সংগে আছিল আৰু তেওঁ যোচেফৰ প্ৰতি অংগীকাৰযুক্ত বিশ্বস্ততা দেখুৱাইছিল। যিহোৱাই তেওঁক কাৰাগাৰৰ অধ্যক্ষৰ দৃষ্টিত অনুগ্ৰহপ্ৰাপ্ত কৰিলে। ২২ তাতে অধ্যক্ষই কাৰাগাৰত থকা সকলো বন্দীবোৰক যোচেফৰ তত্বাৱধানত শোধাই দিলে; তেতিয়া সিহঁতে তাত কৰা সকলো কাৰ্য যোচেফৰ পৰিচালনাত হৈছিল। ২৩ যোচেফৰ তত্বাৱধানত থকা কোনো বিষয়ক লৈ কাৰাগাৰৰ অধ্যক্ষ চিন্তিত নাছিল; কাৰণ যিহোৱা তেওঁৰ সংগত আছিল আৰু সেয়ে যোচেফে কৰা সকলো কাৰ্যকে যিহোৱাই সফল কৰিছিল।

**৪০** এইবোৰ ঘটনাৰ পাছত, মিচৰৰ ৰজাৰ প্ৰধান পান-পাত্ৰ ধৰোঁতা আৰু প্ৰধান পিঠা প্ৰস্তুতকাৰীয়ে তেওঁলোকৰ প্ৰভু অৰ্থাৎ মিচৰৰ ৰজাৰ অহিতে অপৰাধ কৰিলে। ২ ফৰৌণে তেওঁৰ এই প্ৰধান পান-পাত্ৰ ধৰোঁতা আৰু প্ৰধান পিঠা প্ৰস্তুতকাৰী বিষয়া দুজনৰ ওপৰত ক্ৰোধিত হৈছিল। ৩ তাতে যি কাৰাগাৰত যোচেফ আটকাধীন হৈ আছিল, কাৰাৰক্ষক প্ৰধানৰ সেই একেটা ঘৰৰ কাৰাগাৰতে তেওঁলোকক বন্দী

কৰি থলে। ৪ প্ৰধান কাৰাৰক্ষকে তেওঁলোকক যোচেফৰ পৰিচৰ্যাৰ অধীনত ৰাখিলে আৰু তেওঁ তেওঁলোকৰ তত্বাৱধান লবলৈ ধৰিলে। এইদৰে তেওঁলোক কিছু দিন সেই কাৰাগাৰত থাকিল। ৫ এদিনাখন ৰাতি কাৰাগাৰত আটকাধীন অৱস্থাতে মিচৰৰ ৰজাৰ সেই পান-পাত্ৰ ধৰোঁতা আৰু ৰুটি-প্ৰস্তুতকাৰী দুয়োৱে এটাকৈ সপোন দেখিলে আৰু প্ৰত্যেকৰ সপোনৰ নিজস্ব অৰ্থ আছিল। ৬ ৰাতিপুৱা যোচেফে তেওঁলোকৰ ওচৰলৈ গৈ তেওঁলোকক মন মাৰি থকা দেখিলে। ৭ তেতিয়া তেওঁ তেওঁৰ প্ৰভুৰ ঘৰৰ কাৰাগাৰত নিজৰ সৈতে বন্দী হৈ থকা, ফৰৌণৰ সেই দুজন বিষয়াক সুধিলে, “আজি আপোনালোকক কিয় ইমান মন মাৰি থকা দেখা গৈছে?” ৮ তেওঁলোকে ক’লে, “আমি দুয়োজনেই এটাকৈ সপোন দেখিলোঁ; কিন্তু তাৰ অৰ্থ বুজাবলৈ কোনো নাই।” তেতিয়া যোচেফে তেওঁলোকক ক’লে, “সপোনৰ অৰ্থ কোৱাৰ ক্ষমতা জানো ঈশ্বৰৰ পৰা নহয়? আপোনালোকে অনুগ্ৰহ কৰি মোক কওঁকচোন।” ৯ তেতিয়া প্ৰধান পান-পাত্ৰ ধৰোঁতাই যোচেফক নিজৰ সপোনৰ কথা ক’লে। তেওঁ ক’লে, “শুনক, সপোনত মই মোৰ সন্মুখত এজোপা দ্ৰাক্ষালতাৰ গছ দেখিলোঁ; ১০ সেই গছত তিনিটা ডাল আছিল; সেই ডালত কুঁহি মেলাৰ লগে লগে ফুল ফুলিবলৈ ধৰিলে আৰু থোপে থোপে আঙুৰবোৰ লাগি পকি উঠিল। ১১ ফৰৌণৰ পান-পাত্ৰ তেতিয়া মোৰ হাততে আছিল। মই সেই আঙুৰবোৰ লৈ পাত্ৰটোত চেপি ৰস উলিয়াই ফৰৌণৰ হাতত সেই পান-পাত্ৰ দিলোঁগৈ।” ১২ যোচেফে তেওঁক ক’লে, “ইয়াৰ অৰ্থ হৈছে এই; সেই তিনিটা ডালে তিনি দিন বুজায়। ১৩ তিনি দিনৰ ভিতৰত ফৰৌণে আপোনাৰ মূৰ উচ্চ কৰি আপোনাক পুনৰ আগৰ কাৰ্যত নিযুক্তি দিব; আপুনি আগেয়ে পান-পাত্ৰ ধৰোঁতা হৈ যেনেকৈ ফৰৌণৰ হাতত পান-পাত্ৰ তুলি দিছিলে, তেনেকৈয়ে আকৌ দিব। ১৪ তেন্তে আপোনাৰ সুদিনৰ সময়ত মোক সুঁৱৰি মোলৈ দয়া কৰি কৃপা দৃষ্টি কৰিব; ফৰৌণৰ আগত মোৰ সম্বন্ধে জনাই মোক এই কাৰাগাৰৰ পৰা উলিয়াই নিব; ১৫ কিয়নো সত্য কথা কবলৈ হ’লে ইব্ৰীয়াবিলাকৰ দেশৰ পৰা মোক জোৰ কৰি অনা হৈছিল আৰু এই দেশতো মই এনে একো কাৰ্য কৰা নাই যিহৰ কাৰণে

তেওঁলোকে মোক এই কাৰাগাৰত ভৰাই থৈছে।” ১৬ প্ৰধান ৰুটি-
প্ৰস্তুতকাৰীয়ে যেতিয়া দেখিলে যে, অন্যজনৰ সপোনৰ অৰ্থটো ভাল,
তেতিয়া তেওঁ যোচেফক ক’লে, “মইও এটা সপোন দেখিলোঁ; শুনক,
মই সপোনত মোৰ মূৰৰ ওপৰত ৰুটিৰ তিনিটা খৰাহি থকা দেখিলোঁ;
১৭ তাৰে ওপৰৰ খৰাহিটোত আছিল ফৰৌণৰ কাৰণে বিভিন্ন ধৰণৰ
তাও দি সেকা আহাৰ; কিন্তু চৰাইবোৰে আহি মোৰ মূৰৰ ওপৰৰ
সেই খৰাহিৰ পৰা সেইবোৰ খালে।” ১৮ তেতিয়া যোচেফে উত্তৰ দি
ক’লে, “আপোনাৰ সপোনৰ অৰ্থ এই; তিনিটা খৰাহিৰে তিনি দিন
বুজায়; ১৯ তিনি দিনৰ ভিতৰত ফৰৌণে আপোনাৰ পৰা আপোনাৰ
মূৰ কাটি লৈ এডাল কাঠত আৰিব; চৰাইবোৰে আহি আপোনাৰ
শৰীৰৰ পৰা মঙহ খাবহি।” ২০ পাছত তৃতীয় দিনা ফৰৌণৰ জন্ম দিন
আছিল। ফৰৌণে তেওঁৰ দাসবোৰৰ কাৰণে এক ভোজৰ আয়োজন
কৰিলে। সেইদিনা ফৰৌণে তেওঁৰ অন্যান্য দাসবোৰতকৈ তেওঁৰ
প্ৰধান পান-পাত্ৰ ধৰোঁতা আৰু প্ৰধান ৰুটি-প্ৰস্তুতকাৰীৰ প্ৰতি বিশেষ
মনোযোগ দিলে। ২১ তেওঁ প্ৰধান পান-পাত্ৰ ধৰোঁতাক আগৰ কামত
নিযুক্ত কৰিলে আৰু তেওঁ পুনৰ ফৰৌণৰ হাতত পান-পাত্ৰ তুলি দিলে।
২২ কিন্তু প্ৰধান ৰুটি-প্ৰস্তুতকাৰীক হ’লে তেওঁ আৰি থলে। যোচেফে
তেওঁলোকক যেনেকৈ সপোনৰ অৰ্থ কৈছিল, তেনেকৈয়ে ঘটিল। ২৩
কিন্তু তথাপিও যোচেফক সহায় কৰিবলৈ প্ৰধান পান-পাত্ৰ ধৰোঁতাৰ
মনত নপৰিল; যোচেফৰ কথা তেওঁ একেবাৰে পাহৰি গ’ল।

**৪১** এই ঘটনা ঘটি যোৱাৰ সম্পূৰ্ণ দুবছৰৰ পাছত, ফৰৌণে এটা
সপোন দেখিলে। তেওঁ নীল নদীৰ দাঁতিত থিয় হৈ আছে। ২ এনে
সময়ত নদীৰ পৰা দেখিবলৈ সুন্দৰ আৰু হৃষ্টপুষ্ট সাতজনী গৰু ওলাই
আহি নল বননিত চৰিবলৈ ধৰিলে। ৩ তাৰ পাছত, দেখিবলৈ কুচ্ছিত
আৰু ক্ষীণোৱা আন সাতজনী গৰুও সেই কেইজনীৰ পাছত নীল নদীৰ
পৰা ওলাই, নদীৰ দাঁতিত আগতে অহা গৰু কেইজনীৰ ওচৰতে
আহি থিয় হ’ল। ৪ তাতে সেই ক্ষীণোৱা আৰু দেখিবলৈ কুচ্ছিত গৰু
কেইজনীয়ে দেখিবলৈ সুন্দৰ আৰু হৃষ্টপুষ্ট সেই গৰু সাতজনীক গিলি
পেলালে। এনেতে ফৰৌণে সাৰ পালে। ৫ তাৰ পাছত তেওঁ পুনৰ

টোপনি গৈ দ্বিতীয় বাৰ সপোন দেখিলে; তেওঁ দেখিলে ঘেহুঁৰ একে ডাল ঠাৰিতে গুটিৰে ভৰা সাতোটা থোক ওলাল। ৬ তেতিয়া চোৰা, সেইবোৰৰ পাছতে, পূবৰ বতাহত লেৰেলি শুকাই যোৱা এনে সাতোটা থোক ওলাল। ৭ লেৰেলা থোকবোৰে গুটিৰে ভৰা সেই সাতোটা পূৰঠ থোক গিলি পেলালে। তেতিয়া ফৰৌণে সাৰ পাই দেখিলে যে, এইটো সপোনহে। ৮ যেতিয়া ৰাতি পুৱাল, তেতিয়া তেওঁৰ মনটো অস্থিৰ হৈ উঠিল। তেওঁ মানুহ পঠাই মিচৰ দেশৰ শাস্ত্ৰজ্ঞ আৰু বিদ্বান লোক সকলক মতাই আনিলে আৰু ফৰৌণে তেওঁলোকৰ আগত তেওঁৰ সপোনৰ কথা ক'লে। কিন্তু কোনেও ফৰৌণক এই সপোনৰ ফলিতা দিব নোৱাৰিলে। ৯ তেতিয়া প্ৰধান পান-পাত্ৰ ধৰোঁতাই ফৰৌণক ক'লে, "আজি মোৰ নিজৰ অপৰাধৰ কথা মনত পৰিছে। ১০ ফৰৌণে নিজৰ দাসবোৰলৈ ক্ৰোধিত হৈ মূখ্য ৰান্ধনিৰ সতে মোক কাৰাৰক্ষকৰ অধ্যক্ষৰ ঘৰৰ বন্দীশালত থৈছিল। ১১ তেতিয়া সেই ৰাতিয়েই আমি দুয়ো এটা এটা সপোন দেখিলোঁ। আমি দেখা প্ৰত্যেকটো সপোনৰ বেলেগ বেলেগ অৰ্থ আছিল। ১২ তেতিয়া সেই ঠাইত ৰক্ষক-সেনাপতিৰ ওচৰত এজন ইব্ৰীয়া ডেকা বন্দী হৈ আমাৰ লগত আছিল। আমি তেওঁৰ আগত আমাৰ সপোনৰ কথা ক'ওতে, তেওঁ আমাক সপোনৰ অৰ্থ ক'লে, ১৩ আৰু তেওঁ যেনেকৈ আমাক সপোনৰ অৰ্থ কৈছিল, তেনেকৈয়ে আমালৈ ঘটিল। মোক মহাৰাজে পুনৰায় আগৰ পদতে নিযুক্ত কৰিলে, কিন্তু অন্য সকলক হ'লে ফাঁচি দিলে।" ১৪ তেতিয়া ফৰৌণে যোচেফক আনিবলৈ মানুহ পঠালে। বন্দীশালৰ পৰা তেওঁক যেতিয়া বেগাই উলিয়াই দিয়া হ'ল; তেতিয়া তেওঁ মূৰ খুৱালে আৰু কাপোৰ সলাই ফৰৌণৰ সন্মুখলৈ আহিল। ১৫ তাতে ফৰৌণে যোচেফক ক'লে, "মই এটা সপোন দেখিলোঁ, তাৰ অৰ্থ বুজাই দিব পৰা কোনো নাই; কিন্তু তুমি শুনামাত্ৰে সপোনৰ ফলিতা দিব পাৰা বুলি মই তোমাৰ বিষয়ে শুনিছোঁ।" ১৬ তেতিয়া যোচেফে ফৰৌণক উত্তৰ দি ক'লে, "এইটো মোৰ বাবে অসাধ্য। ঈশ্বৰেহে ফৰৌণ ৰজাৰ সপোনৰ অৰ্থ বুজাই দিয়াৰ লগতে মনত শান্তনা দিব।" ১৭ তেতিয়া ফৰৌণে যোচেফক ক'লে, "মই সপোনত নীল নদীৰ দাঁতিত থিয় হৈ

আছিলোঁ; ১৮ এনে সময়ত নদীৰ পৰা হৃষ্টপুষ্ট আৰু দেখিবলৈ সুন্দৰ
সাত জনী গৰু ওলাই আহি নল বননিত চৰিবলৈ ধৰিলে। ১৯ পাছত
চোৰা, ক্ষীণোৰা, দেখিবলৈ কূচ্ছিত, চেৰেলা গাৰে সাত জনী গৰুও
সেই কেইজনীৰ পাছত ওলাই আহিল; তেনেকুৰা কুচ্ছিত গৰু মই
গোটেই মিচৰ দেশত কেতিয়াও দেখা নাই। ২০ আৰু চেৰেলা গাৰে
দেখিবলৈ কুচ্ছিত গৰু কেইজনীয়ে প্ৰথমে হৃষ্টপুষ্ট গৰু সাত জনী গিলি
পেলালে। ২১ যেতিয়া হৃষ্টপুষ্ট গৰুবোৰ কুচ্ছিত কেইজনীয়ে খালে,
সেইবোৰ চেৰেলা কেইজনীৰ পেটত সোমোৱা যেন নালাগিল। কিন্তু
সিহঁত আগৰ দৰে কুচ্ছিত হৈয়েই থকিল। তেতিয়া মই সাৰ পালোঁ।
২২ মই পুনৰাই সপোন দেখিলোঁ, একে ডাল ঠাৰিতে গুটিৰে ভৰা
ঘেহুঁৰ উত্তম সাতোটা থোক ওলাল। ২৩ তেতিয়া সেইবোৰৰ পাছত
শুকান, পতনুৰা সেইবোৰ পুবৰ গৰম বতাহত শুকায় গৈছিল, এনে
সাতোটা থোকো ওলাল। ২৪ পাছত সেই শুকান পতনুৰা থোকবোৰে
সাতোটা উত্তম থোক গিলি পেলালে। পাছত শাস্ত্ৰজ্ঞসকলক মই ক'লোঁ;
কিন্তু কোনেও মোক তাৰ অৰ্থ ক'ব নোৱাৰিলে।” ২৫ তেতিয়া যোচেফে
ফৰৌণক ক'লে, “ফৰৌণৰ সপোনৰ অৰ্থও একেই। ঈশ্বৰে যি কৰিব
খুজিছে, তাক তেওঁ ফৰৌণক জনাইছে। ২৬ সেই সাত জনী উত্তম
গৰু সাত বছৰক বুজায়; সেই সাতোটা উত্তম থোকেও সাত বছৰক
বুজায়; সপোনৰ অৰ্থও একেই। ২৭ পাছত অহা সেই কুচ্ছিত সাত
জনী গৰুও সাত বছৰ, পূবৰ বতাহত শুকুৱা গুটি নথকা সাতোটা
থোকেও সাত বছৰক বুজায়। সেইবোৰ আকালৰ সাত বছৰ হ'ব।
২৮ মই ফৰৌণৰ আগত ইয়াকে ক'লোঁ যে, ঈশ্বৰে যি কৰিব খুজিছে,
তাকেহে তেওঁ ফৰৌণক দেখুৱাইছে। ২৯ তাতে গোটেই মিচৰ দেশত
এনে সাতটা বছৰ আহিব য'ত বহুত শষ্য উৎপন্ন হ'ব। ৩০ সেইবোৰৰ
পাছত হ'ব আকালৰ সাত বছৰ, তাতে মিচৰ দেশত বহু শস্যৰ কথা
সকলোৱে পাহৰি যাব; আৰু সেই আকালে দেশখনকে নষ্ট কৰিব।
৩১ এই আকালৰ কাৰণে লোকসকলৰ দেশত, আগতে উৎপন্ন হোৱা
বহু শস্যৰ কথা মনত নপৰিব। কিয়নো এইটো অতিশয় ভয়ংকৰ
হ'ব। ৩২ ফৰৌণৰ আগত দুবাৰ এই সপোন দেখুৱা হৈছে। ইয়াৰ

কাৰণ হৈছে ঈশ্বৰে, নিজ মন স্থিৰ কৰিছে আৰু ঈশ্বৰে অতি শীঘ্ৰেই
এই সকলো কৰিব। ৩৩ এই হেতুকে এতিয়া ফৰৌণ ৰজাই এনে
এজন বুদ্ধিমান জ্ঞানী মানুহ বিচাৰি আনক, তেওঁক আনি আপুনি মিচৰ
দেশৰ ওপৰত নিযুক্ত কৰক। ৩৪ ফৰৌণে এইদৰে কৰক; তেওঁ
দেশৰ ওপৰত বিষয়াসকলক পাতক আৰু বহু শস্য উৎপন্ন হোৱা সাত
বছৰত, মিচৰ দেশৰ পৰা শস্য পাঁচ ভাগৰ এভাগ তুলি আনক। ৩৫
এই লোকসকলে অহা বছৰ কেইটাৰ সকলো শস্য গোটাই ফৰৌণৰ
অধীনলৈ আহাৰ হ'বৰ কাৰণে নগৰে নগৰে তাক সাঁচি ৰাখক। তাক
সুৰক্ষা দিয়ক। ৩৬ এইদৰে মিচৰ দেশত আগলৈ হ'ব লগা আকালৰ
সাত বছৰৰ কাৰণে, সেই আহাৰ দেশত সঞ্চিত হৈ থাকিব; তাতে
আকালত দেশখন বিনষ্ট নহব।" ৩৭ তেতিয়া ফৰৌণে আৰু তেওঁৰ
পাত্ৰমন্ত্ৰীসকলেও এই সকলো কথাকে উত্তম দেখিলে। ৩৮ তেতিয়া
ফৰৌণে তেওঁৰ পাত্ৰমন্ত্ৰীসকলক ক'লে, "এই যি জন মানুহত ঈশ্বৰৰ
আত্মা আছে, এওঁৰ নিচিনা আমি কাক পাম?" ৩৯ তেতিয়া ফৰৌণে
যোচেফক ক'লে, "ঈশ্বৰে তোমাক এই সকলো কথা জনাইছে; এই
যে তোমাৰ নিচিনা বুদ্ধিমান জ্ঞানী মানুহ কোনো নাই। ৪০ তুমিয়েই
মোৰ ঘৰৰ অধ্যক্ষ হ'ব লাগে; মোৰ সকলো প্ৰজা তোমাৰ কথাৰ
দৰেই চলিব; কেৱল সিংহাসনতহে মই তোমাতকৈ শ্ৰেষ্ঠ হ'ম।" ৪১
ফৰৌণে যোচেফক পুনৰ ক'লে, "চোৱা, গোটেই মিচৰ দেশৰ ওপৰত
মই তোমাক নিযুক্ত কৰিলোঁ।" ৪২ পাছত ফৰৌণে নিজৰ হাতৰ পৰা
মোহৰ মৰা আঙঠি সোলোকাই যোচেফৰ হাতৰ আঙুলিত পিন্ধাই
দিলে। তেওঁক আৰু মিহি শণ সূতাৰ কাপোৰ পিন্ধাই, ডিঙিত সোণৰ
অলঙ্কাৰও দিলে। ৪৩ তেওঁক নিজৰ দ্বিতীয় ৰথত উঠালে; তাতে
লোকসকলে তেওঁৰ আগে আগে "আঁঠুকাঢ়া" বুলি ঘোষণা কৰিলে।
এইদৰে ফৰৌণে তেওঁক গোটেই মিচৰ দেশ খনৰ ওপৰত নিযুক্ত
কৰিলে। ৪৪ ফৰৌণে যোচেফক ক'লে, "মই ফৰৌণ, কিন্তু তোমাৰ
বিনা অনুমতিত গোটেই মিচৰ দেশত কোনেও হাত, ভৰি লৰচৰ কৰিব
নোৱাৰিব।" ৪৫ ফৰৌণে যোচেফৰ নাম "চাফনৎপানেহ ৰাখিলে।"
তেওঁ ওন নগৰৰ পুৰোহিত পোটী-ফেৰাৰ জীয়েক আচনতৰ লগত

বিয়া পাতি দিলে। পাছত যোচেফ গোটেই মিচৰ দেশ খন চাব লৈ ওলাই গ'ল। ৪৬ যোচেফ মিচৰৰ ৰজা ফৰৌণৰ আগত উপস্থিত হোৱা সময়ত, তেওঁৰ বয়স ত্ৰিশ বছৰ হৈছিল। যোচেফ ফৰৌণ ৰজাৰ আগৰ পৰা ওলাই গ'ল আৰু মিচৰ দেশৰ সকলো ঠাইতে ফুৰিলে। ৪৭ তাতে বহু শস্য হোৱা সেই সাত বছৰত ভূমিয়ে মুঠিয়ে মুঠিয়ে শস্য উৎপন্ন কৰিলে। ৪৮ মিচৰ দেশত সেই সাত বছৰত উৎপন্ন হোৱা সকলো শস্য গোটাই, তেওঁ নগৰে নগৰে সাঁচি হ'ল; প্ৰত্যেক নগৰৰ চাৰিওফালৰ পথাৰত যি শস্য উৎপন্ন হ'ল, তাক তেওঁ সেই নগৰতে সাঁচি থলে। ৪৯ এইদৰে যোচেফে সাগৰৰ বালিৰ দৰে ইমান বহু শস্য গোটালে যে, তাক পাছত লেখিবলৈকে এৰিলে; কিয়নো সেয়ে অসংখ্য হৈছিল। ৫০ যোচেফৰ দুটি পুত্ৰ আকাল অহাৰ আগেয়ে জন্ম পালে, ওন নগৰৰ পুৰোহিত পোটী-ফেৰাৰ জীয়েক আচনতে জন্ম দিলে। ৫১ তাতে যোচেফে জ্যেষ্ঠ পুত্ৰৰ নাম মনচি হ'ল; কিয়নো তেওঁ ক'লে, "ঈশ্বৰে মোৰ সকলো দুখ আৰু নিজ পিতৃৰ ঘৰকো পাহৰাইছে।" ৫২ দ্বিতীয় পুত্ৰৰ নাম তেওঁ ইফ্ৰয়িম ৰাখিলে; কাৰণ তেওঁ ক'লে, "ঈশ্বৰে মোক দুখ ভোগ কৰা এই দেশত ফলৱান কৰিলে।" ৫৩ তাৰ পাছত মিচৰ দেশত বহু শষ্য উৎপন্ন হোৱা সাত বছৰ শেষ হ'ল। ৫৪ তাতে যোচেফে কোৱাৰ দৰেই আকালৰ সাত বছৰ আৰম্ভ হ'ল, তেতিয়া সকলো দেশতে আকাল হ'ল; কিন্তু গোটেই মিচৰ দেশত হ'লে আহাৰ আছিল। ৫৫ যেতিয়া মিচৰ দেশৰ গোটেইখনতে আকাল হ'বলৈ ধৰিলে, তেতিয়া প্ৰজাসকলে আহাৰৰ অৰ্থে ফৰৌণ ৰজাৰ আগত ভিক্ষা খুজিলে গৈ; তাতে ফৰৌণে সকলো মিচৰীয়াকে ক'লে, "তোমালোকে যোচেফৰ ওচৰলৈ যোৱা; তেওঁ যি কৰিবলৈ কয়, তাকে তোমালোকে কৰিবা।" ৫৬ তেতিয়া গোটেই দেশতে আকাল হ'ল, যোচেফে সকলো ঠাইৰ ভঁৰালবোৰ খুলিলে আৰু মিচৰীয়াসকলৰ ওচৰত শস্য বেচিবলৈ ধৰিলে। সেই সময়ত মিচৰ দেশত ভয়ংকৰ আকাল হ'ল। ৫৭ সকলো দেশৰ মানুহবোৰে শস্য কিনিবৰ কাৰণে মিচৰ দেশত থকা যোচেফৰ ওচৰলৈ আহিল; কিয়নো গোটেই পৃথিৱীত ভীষণ আকাল হ'বলৈ ধৰিলে।

৪২ যেতিয়া যাকোবে মিচৰত শস্য আছে বুলি শুনা পালে, তেতিয়া
তেওঁৰ পুত্ৰসকলক ক'লে, "তোমালোকে ইজনে সিজনৰ মুখলৈ কিয়
চোৱাচুই কৰি আছা?" ২ তেওঁ পুনৰ ক'লে, "চোৱা, মিচৰত শস্য আছে
বুলি মই শুনিছোঁ; তোমালোকে তালৈ নামি গৈ, তাৰ পৰা আমাৰ বাবে
শস্য কিনি আনাগৈ; তেতিয়াহে আমি নমৰি জীয়াই থাকিব পাৰিম।"
৩ যোচেফৰ ককায়েক দহ জনে মিচৰৰ পৰা শস্য কিনি আনিবলৈ
নামি গ'ল। ৪ কিন্তু যোচেফৰ ভায়েক বিন্যামীনক হ'লে, যাকোবে
ককায়েকসকলৰ লগত নপঠালে; কিয়নো তেওঁ ক'লে, "কিজানি তাৰ
কিবা বিপদ ঘটে।" ৫ এইদৰে শস্য কিনিবলৈ যোৱা মানুহবোৰৰ লগত
ইস্রায়েলৰ পুত্ৰসকল গ'ল; কিয়নো কনান দেশত আকাল হৈছিল। ৬
সেই সময়ত যোচেফ মিচৰ দেশৰ অধ্যক্ষ আছিল। তেৱেঁই দেশৰ
সকলো লোকক শস্য বেচিছিল। যেতিয়া যোচেফৰ ককায়েকসকলে গৈ
তেওঁৰ আগত মাটিত উবুৰি হৈ প্ৰণিপাত কৰিলে, ৭ তেতিয়া যোচেফে
তেওঁৰ ককায়েকসকলক দেখি চিনি পালে; কিন্তু তেওঁ অচিনাকিৰ
দৰে ব্যৱহাৰ কৰিলে আৰু কঠোৰভাৱে তেওঁলোকৰ লগত কথা
পাতিলে। তেওঁ তেওঁলোকক সুধিলে, "তোমালোক ক'ৰ পৰা আহিছা?"
তেওঁলোকে ক'লে, "কনান দেশৰ পৰা শস্য কিনিবলৈ আহিছোঁ।" ৮
এইদৰে যোচেফে ককায়েকসকলক চিনি পালে, কিন্তু তেওঁলোকে
হ'লে ভায়েকক চিনি নাপালে। ৯ যোচেফে তেওঁলোকৰ সম্বন্ধে যি
সপোন দেখিছিল, সেই কথা তেতিয়া তেওঁৰ মনত পৰিল। তেওঁ
তেওঁলোকক ক'লে, "তোমালোক গুপ্তচৰ। আমাৰ দেশৰ অসুৰক্ষিত
অংশবোৰ চাবলৈহে তোমালোক আহিছা।" ১০ তেওঁলোকে তেওঁক
ক'লে, "নহয়, মোৰ প্ৰভু; আপোনাৰ এই দাস সকলে শস্য কিনিবলৈহে
আহিছোঁ। ১১ আমি সকলো এজন লোকৰে পুত্ৰ; আমি সৎ মানুহ।
আপোনাৰ দাসবোৰ গুপ্তচৰ নহয়।" ১২ তেতিয়া যোচেফে তেওঁলোকক
ক'লে, "নহয়, তোমালোকে দেশৰ অসুৰক্ষিত অংশবোৰ চাবলৈহে
আহিছা।" ১৩ কিন্তু তেওঁলোকে ক'লে, "আপোনাৰ দাস আমি ভাই
ককাই বাৰজন; আমি কনান দেশৰ বাসিন্দা এজন লোকৰেই সন্তান;
আমাৰ সকলোতকৈ সৰু ভাইটো বৰ্তমান পিতাৰ ওচৰত আছে আৰু

আন এজন ভাই জীৱিত নাই।” ১৪ যোচেফে তেওঁলোকক ক’লে, “মই তোমালোকৰ বিষয়ে যি কৈছোঁ, সেয়াই ঠিক; তোমালোক গুপ্তচৰ। ১৫ ইয়াৰেই তোমালোকক পৰীক্ষা কৰা হ’ব - তোমালোকৰ সৰু ভাই যেতিয়ালৈকে ইয়ালৈ নাহে, তেতিয়ালৈকে তোমালোকে এই ঠাই এৰি যাব নোৱাৰিবা। এই কথা মই ফৰৌণৰ জীৱনৰে শপত খাই কৈছো। ১৬ সৰু ভাইক আনিবলৈ তোমালোকৰ মাজৰ পৰা এজনক পঠাই দিয়া আৰু আন সকলো বন্দী হৈ থাকা। তাতে তোমালোকৰ কথা সত্য হয় নে নহয়, প্ৰমাণিত হ’ব। নহ’লে, ফৰৌণৰ জীৱনৰে শপত, তোমালোক যে গুপ্তচৰ, ই নিশ্চিত।” ১৭ এইবুলি কৈ যোচেফে তিনি দিনলৈকে তেওঁলোক সকলোকে কাৰাগাৰত বন্দী কৰি হ’ল। ১৮ তৃতীয় দিনা যোচেফে তেওঁলোকক ক’লে, “তোমালোকে মই কোৱাৰ দৰে কৰি প্ৰাণ ৰক্ষা কৰা; কিয়নো মই ঈশ্বৰ ভয়কাৰী লোক হওঁ। ১৯ তোমালোক যদি সঁচাই সৎ লোক হোৱা, তেন্তে তোমালোকৰ ভাইসকলৰ মাজৰ পৰা এজন এই কাৰাগাৰত বন্দী হৈ থাকক; বাকী সকলোৱে তোমালোকৰ ভোকত থকা পৰিয়ালৰ কাৰণে আকালৰ শস্য লৈ যাওক। ২০ তোমালোকৰ কথা সত্য বুলি প্ৰমাণ হ’বৰ কাৰণে সৰু ভাইক মোৰ ওচৰলৈ লৈ আনা; তেতিয়াহে তোমালোকৰ প্ৰাণ ৰক্ষা পাব।” তাতে তেওঁলোকে সেইদৰে কৰিলে। ২১ তাৰ পাছত তেওঁলোকে এজনে আন জনক ক’লে, “বাস্তৱিকতে আমাৰ ভাইৰ বিষয়টোত আমি দোষী; সি যেতিয়া আমাৰ আগত কাকুতি-মিনতি কৰিছিল, তেতিয়া তাৰ মনোকষ্ট দেখিও, আমি কাণসাৰ নিদিলোঁ। সেইবাবেই আমাৰ ওপৰত এই সঙ্কট আহিছে।” ২২ তেতিয়া ৰূবেণে তেওঁলোকক উত্তৰ দি ক’লে, “মই জানো তোমালোকক কোৱা নাছিলো, ‘ল’ৰাটোৰ প্ৰতি অন্যায় কৰি পাপ নকৰিবা,’ তথাপিও তোমালোকে নুশুনিলা; এতিয়া চোৱা, আমি তাৰ ৰক্তপাতৰ পৰিশোধ সাধিব লগা হৈছে।” ২৩ যোচেফে যে তেওঁলোকৰ কথাবোৰ বুজি পাইছিল, সেই বিষয়ে তেওঁলোকে নাজানিলে; কিয়নো দুভাষীৰ মাধ্যমেদিহে তেওঁ তেওঁলোকৰ সৈতে কথা-বতৰা হৈছিল। ২৪ পাছত যোচেফে তেওঁলোকৰ ওচৰৰ পৰা গ’ল আৰু কান্দিবলৈ ধৰিলে। পুনৰ আহি তেওঁলোকৰ সৈতে কথাবাৰ্তা

হ'ল। তেওঁ তেওঁলোকৰ মাজৰ পৰা চিমিয়োনক বাচি ল'লে আৰু
তেওঁলোকৰ চকুৰ সন্মুখতে তেওঁক বান্ধিলে। ২৫ তাৰ পাছত যোচেফে
নিজৰ দাসবোৰক আদেশ দিলে যেন তেওঁলোকৰ বস্তাবোৰত শস্য
ভৰাই দিয়া হয় আৰু প্ৰতিজনে দিয়া ধন তাৰ বস্তাত ওভটাই দিয়া
হয়; তাৰ উপৰিও যাত্ৰাৰ কাৰণে তেওঁলোকৰ প্ৰয়োজনীয় বস্তুবোৰো
দিবলৈ আদেশ দিলে। তাতে তেওঁলোকৰ কাৰণে যোচেফে কোৱাৰ
দৰেই সকলো কৰা হ'ল। ২৬ তাৰ পাছত তেওঁলোকে নিজৰ নিজৰ
গাধৰ পিঠিত শস্য বোজা তুলি লৈ তাৰ পৰা প্ৰস্থান কৰিলে। ২৭
পাছত বিশ্ৰামৰ ঠাই পাই তেওঁলোকৰ মাজৰ এজনে যেতিয়া নিজৰ
গাধক দানা দিবলৈ বস্তা মেলিলে, তেতিয়া তেওঁ নিজৰ ধনখিনি
দেখা পালে; ধনখিনি বস্তাৰ মুখতে আছিল। ২৮ তাতে তেওঁ ভায়েক-
ককায়েকসকলক ক'লে, “এই চোৱাহি, মোৰ ধনখিনি উভটাই দিছে।
এয়া চোৱা, মোৰ বস্তাতেই সেই ধন আছে।” তেতিয়া তেওঁলোকৰ প্ৰাণ
উড়ি গ'ল। তেওঁলোকে ভয়তে কঁপি কঁপি ইজনে সিজনৰ ফালে ঘূৰি
ক'লে, “ঈশ্বৰে নো আমালৈ এইটো কি কৰিলে?” ২৯ কনান দেশলৈ
উলটি গৈ তেওঁলোকে তেওঁলোকৰ বাপেক যাকোবক তেওঁলোকলৈ
যি যি ঘটিল সেই সকলোকে জনাই ক'লে, ৩০ “যি জন লোক সেই
দেশৰ প্ৰভু, তেওঁ আমাৰ লগত অতি কৰ্কশভাৱে কথা পাতিছিল। তেওঁ
ভাৱিছিল যে আমি সেই দেশত গুপ্তচৰ। ৩১ কিন্তু আমি তেওঁক কলোঁ,
'আমি সৎ মানুহ, গুপ্তচৰ নহওঁ; ৩২ আমি ভাই-ককাই বাৰজন, একে
পিতাৰে সন্তান; এজন জীৱিত নাই আৰু সকলোতকৈ সৰুটো এতিয়া
পিতাৰ লগত কনান দেশত আছে।' ৩৩ তেতিয়া সেই দেশৰ যি জন
প্ৰভু, তেওঁ আমাক ক'লে, ''বোলে, ইয়াৰ দ্বাৰায়েই মই জানিম যে
তোমালোক সৎ মানুহ, সেয়ে তোমালোকৰ এজন ভাইক মোৰ লগত
থৈ, ভোকত থকা পৰিয়ালৰ কাৰণে আকালৰ শস্য লোৱা আৰু নিজ
বাটে যোৱা। ৩৪ তোমালোকৰ সৰু ভাইক মোৰ ওচৰলৈ লৈ আনা;
তেতিয়া মই জানিম যে, তোমালোক গুপ্তচৰ নোহোঁৱা, কিন্তু সৎ লোক।
তেতিয়াহে মই তোমালোকৰ ভাইক তোমালোকলৈ মুকলি কৰি দিম
আৰু তোমালোকে এই দেশত ব্যৱসায়-বাণিজ্য কৰিব পাৰিবা।” ৩৫

তাৰ পাছত তেওঁলোকে নিজৰ বস্তাবোৰ খালী কৰাৰ সময়ত দেখিলে
যে, তেওঁলোক প্ৰত্যেকৰ ধনৰ টোপোলাও প্ৰত্যেকৰ বস্তাৰ ভিতৰত
আছে; তাকে দেখি তেওঁলোক আৰু তেওঁলোকৰ পিতৃয়ে ভয় খালে।
৩৬ তেওঁলোকৰ পিতৃ যাকোবে তেওঁলোকক ক'লে, "তোমালোকে
মোক সন্তানহাৰা কৰিছা। যোচেফ গ'ল, চিমিয়োনও নাই আৰু এতিয়া
বিন্যামীনকো তোমালোকে লৈ যাব খুজিছা; এই সকলোবোৰ দুখ-
কষ্ট মোৰ অহিতেই হৈছে।" ৩৭ ৰূবেণে তেওঁৰ পিতৃক ক'লে, "মই
যদি বিন্যামীনক আপোনাৰ ওচৰলৈ উভটাই আনিব নোৱাৰো, তেন্তে
আপুনি মোৰ দুই পুত্ৰকে বধ কৰিব। কেৱল বিন্যামীনক মোৰ হাতত
শোধাই দিয়ক, মই পুনৰ তাক আপোনাৰ ওচৰলৈ ঘূৰাই আনিম।"
৩৮ তেতিয়া যাকোবে ক'লে, "নহয়, মোৰ পুত্ৰ তোমালোকৰ লগত
নাযায়; কিয়নো তাৰ ককায়েক মৰিল আৰু এতিয়া সি অকলে আছে;
তোমালোকৰ যাত্ৰাপথত যদিহে তালৈ কিবা আপদ ঘটে, তেন্তে এই
পকা চুলিৰে সৈতে দুখ দি মোক চিয়োললৈহে পঠাবা।" **(Sheol h7585)**

**৪৩** কনান দেশত আকালে ভয়ানক ৰূপ লৈ উঠিল। ২ মিচৰ দেশৰ
পৰা কিনি অনা শস্য খাই শেষ হোৱাত, তেওঁলোকৰ বাপেকে ক'লে,
"তোমালোকে আকৌ যোৱা আৰু আমাৰ বাবে কিছুমান শস্য কিনি
আনাগৈ।" ৩ যিহূদাই তেওঁক ক'লে, "সেই পুৰুষে আমাক দৃঢ়ভাৱে
সতৰ্ক কৰি দি কৈছিল যে, 'তোমালোকৰ লগত তোমালোকৰ ভাই
নাহিলে, মোৰ মুখ চাব নোৱাৰিবা।' ৪ এতিয়া তুমি যদি আমাৰ ভাইক
আমাৰ লগত পঠোৱা, তেতিয়াহে আমি নামি গৈ তোমাৰ কাৰণে শস্য
কিনি আনিম। ৫ কিন্তু যদি নপঠোৱা, তেন্তে আমি নাযাওঁ; কিয়নো
সেই লোকে আমাক কৈছিল, 'তোমালোকৰ লগত তোমালোকৰ
ভাই নাহিলে, মোৰ মুখ চাব নোৱাৰিবা'।" ৬ ইস্ৰায়েলে ক'লে,
"তোমালোকে মোলৈ কিয় এনে দুৰ্ব্যৱহাৰ কৰিলা? তোমালোকৰ
যে এজন ভাই আছে সেই কথানো লোকজনক কিয় ক'লা?" ৭
তেওঁলোকে ক'লে, "সেই লোকজনে আমাৰ আৰু আমাৰ পৰিয়ালৰ
সম্বন্ধে পুংখানুপুংখভাৱে সুধিছিল; তেওঁ সুধিছিল, 'তোমালোকৰ
পিতা এতিয়াও জীয়াই আছে নে? তোমালোকৰ আৰু কোনো ভাই

আছে নে?’ আমিও তেওঁৰ প্ৰশ্নবোৰৰ উত্তৰ সেইদৰেই দিছিলোঁ; পাছত তেওঁ যে আমাক ‘তোমালোকৰ ভাইক লৈ আনা’ বুলি ক’ব অামি কেনেকৈ জানিম?”
৮ তেতিয়া যিহূদাই পিতৃ ইস্ৰায়েলক ক’লে, “আপুনি বিন্যামীনক মোৰ লগত পঠাওঁক; আমি, আপুনি আৰু আমাৰ সন্তানবোৰেৰে সৈতে উভয়ে যেন নমৰি জীয়াই থাকিম, তাৰ বাবে আমি সোনকালে ওলাই যাওঁহক।
৯ মই বিন্যামীনৰ বাবে জামিন হৈছোঁ। বিন্যামীনৰ দায়িত্বক লৈ আপুনি মোকে জগৰীয়া কৰিব। মই যদি তাক ঘূৰাই আনি আপোনাৰ সন্মুখলৈ নানো, তেন্তে চিৰকাল মই আপোনাৰ ওচৰত অপৰাধী হৈ থাকিম।
১০ আমি যদি ইমান পলম নকৰিলোঁ হয়, ইতিমধ্যে আমি দ্বিতীয়বাৰো ঘূৰি আহিব পাৰিলোহেঁতেন।”
১১ তেওঁলোকৰ পিতৃ ইস্ৰায়েলে তেতিয়া ক’লে, “যদি সেয়ে কৰিব লাগে, তেন্তে এতিয়া এটা কাম কৰা। সেই লোকৰ কাৰণে উপহাৰ হিচাবে তোমালোকৰ নিজৰ নিজৰ বস্তাত এই দেশৰ সকলোতকৈ উত্তম দ্ৰব্যবোৰৰ কিছু কিছু লৈ যোৱা; যেনে, কিছু বিষ নিৰাময়ৰ মলম, মৌজোল, মা-মচলা, গন্ধৰস, পেস্তা আৰু বাদাম।
১২ তোমালোকৰ হাতত দুগুণ ধন লোৱা; কাৰণ তোমালোকৰ বস্তাৰ মুখত যি ধন তেওঁলোকে উভটাই দিলে, তাকো ঘূৰাই দিবলৈ লৈ যোৱা। হয়তো ভুলতে সেয়া তোমালোকক দিছিল।
১৩ তোমালোকৰ ভাইক লৈ সোনকালে সেই লোকৰ ওচৰলৈ আকৌ যোৱাহঁক।
১৪ সেই লোক জনে তোমালোকক যেন দয়া কৰে, সৰ্ব্বশক্তিমান ঈশ্বৰে ইয়াকে কৰক আৰু তোমালোকৰ আনজন ভাই চিমিয়োন আৰু বিন্যামীনক তোমালোকলৈ এৰি দিয়ে। মই যদি পুত্ৰহীনৰ শোক ভুগিব লগাই হয়, তেন্তে তেনেকৈয়ে থাকিম।”
১৫ তেতিয়া তেওঁলোকে সেই উপহাৰ, হাতত দুগুণ ধন আৰু বিন্যামীনক লগত লৈ মিচৰ দেশলৈ নামি গ’ল, আৰু তেওঁলোক যোচেফৰ সন্মুখত উপস্থিত হ’ল।
১৬ তাতে তেওঁলোকৰ লগত বিন্যামীনক দেখি, যোচেফে তেওঁৰ ঘৰৰ ঘৰগিৰীক ক’লে, “এই লোকসকলক ঘৰৰ ভিতৰলৈ লৈ আহা আৰু এটা পশু মাৰি আহাৰ যুগুত কৰা; এই লোকসকলে দুপৰীয়া মোৰ সৈতে ভোজন কৰিব।”
১৭ যোচেফে যিদৰে ক’লে, ঘৰগিৰীয়ে

সেইদৰেই কৰিলে; তেওঁ তেওঁলোকক যোচেফৰ ঘৰলৈ লৈ আহিল।
১৮ যোচেফৰ ঘৰলৈ তেওঁলোকক লৈ যোৱাৰ বাবে তেওঁলোকে ভয়তে
কোৱাকুই কৰি ক'লে, "আগৰ বাৰত যি ধন আমাৰ বস্তাৰ ভিতৰত
উভটি গ'ল, তাৰ কাৰণেই আমাক তালৈ লৈ আনিছে নেকি; এইবাৰ
হয়তো আমাৰ বিৰুদ্ধে দোষ বিচাৰি তেওঁ আমাক বন্দী কৰি থ'ব আৰু
আমাৰ গাধবোৰকো লৈ আমাক তেওঁৰ দাস কৰি ৰাখিব।" ১৯ সেয়ে
তেওঁলোকে যোচেফৰ ঘৰৰ দুৱাৰ মুখত ঘৰগিৰীজনৰ কাষলৈ গ'ল।
২০ তেওঁলোকে ক'লে, "মালিক, আমি ইয়াৰ আগেয়েও প্ৰথমবাৰ
শস্য কিনিবলৈ আহিছিলোঁ; ২১ কিন্তু উলটি যোৱাৰ পথত বিশ্ৰামৰ
ঠাই পোৱাত আমি আমাৰ বস্তা মেলোতেই দেখিলোঁ যে, আমাৰ
সম্পূৰ্ণ ধন প্ৰতিজনৰ বস্তাৰ মুখত আছিল; আমি এতিয়া সেই ধন
উভটাই আনিছোঁ। ২২ ইয়াৰ উপৰিও আমি শস্য কিনিবলৈ লগত
ধন আনিছোঁ। আমাৰ সেই ধন আমাৰ বস্তাৰ ভিতৰত কোনে যে
সুমুৱাই দিছিল, তাক আমি নাজানো।" ২৩ সেই ঘৰগিৰীয়ে তেতিয়া
কলে, "আপোনালোকে ভয় কৰিব নালাগে, শান্তি মনেৰে থাকক।
আপোনালোকৰ আৰু আপোনালোকৰ পিতৃৰ ঈশ্বৰেই নিশ্চয়কৈ সেই
ধন আপোনালোকৰ বস্তাত ৰাখিছিল। মই কিন্তু আপোনালোকৰ ধন
পালোঁ।" পাছত ঘৰগিৰীজনে চিমিয়োনক বাহিৰ কৰি তেওঁলোকৰ
ওচৰলৈ আনিলে। ২৪ তাৰ পাছত ঘৰগিৰীয়ে সেই সকলো লোকক
যোচেফৰ ঘৰৰ ভিতৰলৈ লৈ গৈ পানী দিলে আৰু তেওঁলোকে নিজৰ
ভৰি ধুলে; তেওঁ তেওঁলোকৰ গাধবোৰকো খাবলৈ দিলে। ২৫ যোচেফ
দুপৰীয়া আহিব বুলি তেওঁলোকে নিজৰ নিজৰ উপহাৰবোৰ যুগুত
কৰি ৰাখিলে। কিয়নো তেওঁলোকে শুনিছিল যে তেওঁলোকৰ খোৱা-
বোৱা তাতেই হ'ব। ২৬ যোচেফ যেতিয়া ঘৰলৈ আহিল, তেতিয়া
তেওঁলোকে নিজৰ নিজৰ উপহাৰবোৰ ঘৰৰ ভিতৰলৈ আনি তেওঁক
দিলে আৰু মাটিত উবুৰি হৈ পৰি তেওঁক প্ৰণিপাত কৰিলে। ২৭
তেওঁলোকৰ কুশল মঙ্গল জনাৰ পাছত তেওঁ তেওঁলোকক সুধিলে,
"তোমালোকৰ বৃদ্ধ পিতাৰ কথা যে তোমালোকে কৈছিলা, তেওঁ ভালে
আছে নে? তেওঁ এতিয়ালৈকে জীয়াই আছে নে?" ২৮ তেওঁলোকে

ক'লে, "আপোনাৰ দাস আমাৰ পিতৃ এতিয়াও জীয়াই আছে আৰু
তেওঁ ভালে আছে।" এই বুলি তেওঁলোকে উবুৰি হৈ প্ৰণিপাত কৰিলে।
২৯ তেতিয়া তেওঁ চকু তুলি নিজ মাকৰ পুতেক ভায়েক বিন্যামীনক
দেখি ক'লে, "এওঁৱেই নেকি তোমালোকৰ সেই সৰু ভাই, যি জনৰ
কথা তোমালোকে মোক কৈছিলা?" তেওঁ তাক ক'লে, "বোপা, ঈশ্বৰে
তোমাক আশীৰ্বাদ কৰক।" ৩০ নিজ ভায়েকক দেখি মৰমতে যোচেফৰ
অন্তৰ শোকত ভাগি পৰিল। তেওঁ কান্দিবলৈ ঠাই বিচাৰি বেগাবেগিকৈ
সেই ঠাইৰ পৰা ওলাই গ'ল আৰু নিজৰ কোঁঠালিত সোমাই কান্দিবলৈ
ধৰিলে। ৩১ পাছত তেওঁ নিজৰ চকু-মুখ ধুই বাহিৰলৈ আহিল আৰু
নিজকে নিয়ন্ত্ৰণ কৰি আহাৰ পৰিবেশন কৰিবলৈ ক'লে। ৩২ তেতিয়া
দাসবোৰে যোচেফক, তেওঁৰ ভায়েক-ককায়েকসকলক আৰু যি
মিচৰীয়সকলে যোচেফৰ লগত ভোজন কৰে, তেওঁলোকক বেলেগ
বেলেগকৈ খাবলৈ দিলে; কিয়নো মিচৰীয়সকলে ইব্ৰীয়াসকলৰ সৈতে
খোৱা-বোৱা নকৰে; কাৰণ সেয়া মিচৰীয়সকলৰ কাৰণে এক ঘৃণনীয়
কাৰ্য। ৩৩ ভায়েক-ককায়েকসকল যোচেফৰ সন্মুখত বয়স অনুসাৰে
জ্যেষ্ঠৰ পৰা কনিষ্ঠজন বহিল। তাতে তেওঁলোক সকলোৱে একেলগে
আচৰিত মানিলে। ৩৪ তাৰ পাছত যোচেফে তেওঁৰ নিজৰ সন্মুখৰ
আহাৰৰ পৰা কিছু ভাগ ভায়েক-ককায়েকসকলক দিবলৈ দিলে। কিন্তু
আন সকলো ভায়েক-ককায়েকসকলৰ ভাগতকৈ বিন্যামীনক পাঁচ গুণ
অধিক দিয়া হ'ল। এইদৰে তেওঁলোকে যোচেফৰ সৈতে ভোজন-পান
কৰি আনন্দ কৰিলে।

**৪৪** যোচেফে তেওঁৰ ঘৰৰ ঘৰগিৰীক আদেশ দি ক'লে, "এই
লোকসকলে যিমান শস্য লৈ যাব পাৰে, তেওঁলোকৰ বস্তাবোৰ
সিমানকৈ পূৰ কৰি দিয়া আৰু প্ৰতিজন লোকৰ ধন তেওঁলোকৰ বস্তাৰ
মুখত থ'বা। ২ মোৰ ৰূপৰ পিয়লাটো সবাটোকৈ সৰুটোৰ শস্য ভৰোৱা
বস্তাৰ মুখত থ'বা; শস্য কিনাৰ বাবে অনা তাৰ ধনখিনিও থ'বা।"
তেতিয়া ঘৰগিৰী জনে যোচেফে কোৱাৰ দৰেই কৰিলে। ৩ পাছদিনা
অতি পুৱাতেই লোকসকলক তেওঁলোকৰ গাধবোৰৰ সৈতে বিদায়
দিলে। ৪ তেওঁলোক নগৰৰ পৰা ওলাই যোৱাৰ পাছত, অধিক দূৰ

গৈ পোৱাৰ আগতেই যোচেফে তেওঁৰ ঘৰগিৰীক ক'লে, "সোনকালে
সেই লোকসকলৰ পাছে পাছে যোৱা। তেওঁলোকক লগ পাই ক'বা,
'তোমালোকে উপকাৰৰ সলনি কিয় অপকাৰ কৰি আহিলা? কিয়
তোমালোকে মোৰ প্ৰভুৰ পিয়লা চুৰ কৰিলা? ৫ সেইটো পিয়লাতে
মোৰ প্ৰভুৱে পান কৰে আৰু মঙ্গল চোৱাৰ কাৰণেও ব্যৱহাৰ কৰে?
তোমালোকে এই কৰ্ম কৰি অতি অন্যায় কৰিছা'।" ৬ এইদৰে সেই
ঘৰগিৰীয়েও গৈ বাটত তেওঁলোকক লগ ধৰিলে আৰু এইবোৰ কথা
ক'লে। ৭ কিন্তু তেওঁলোকে তেওঁক ক'লে, "মহাশয়, আপুনি কিয়
এনেবোৰ কথা কৈছে? আপোনাৰ দাসবোৰৰ পৰা এনে ধৰণৰ কৰ্ম
কৰা দূৰ হওক। ৮ চাওক, যোৱাবাৰ আমাৰ বস্তাৰ মুখত যি ধন
পাইছিলোঁ, সেয়া আমি কনান দেশৰ পৰা পুনৰ আপোনালৈ ওভটাই
আনিলো; তেন্তে আপোনাৰ প্ৰভুৰ ঘৰৰ পৰা আমি ৰূপ বা সোণ
কেনেকৈ চুৰ কৰি আনিব পাৰোঁ? ৯ যদি সেই পিয়লা আপোনাৰ এই
দাসবোৰৰ কোনোবা এজনৰ ওচৰত পোৱা যায়, তেন্তে তাৰ মৃত্যু
হওঁক আৰু আমিও প্ৰভুৰ দাস হৈ থাকিম।" ১০ তেতিয়া ঘৰগিৰীজনে
ক'লে, "ঠিক আছে, আপোনালোকৰ কথাৰ দৰেই হওক; কিন্তু যিজনৰ
ওচৰত সেই পিয়লা পোৱা যাব, কেৱল তেৱেঁ মোৰ দাস হ'ব; আন
সকলো নিৰ্দ্দোষী হ'ব।" ১১ তেতিয়া তেওঁলোকে বেগতে নিজৰ বস্তা
মাটিত নমাই খুলিলে। ১২ ঘৰগিৰীয়ে ডাঙৰজনৰ পৰা আৰম্ভ কৰি
শেষত সৰুজনলৈকে বিচাৰোতে বিন্যামীনৰ বস্তাৰ ভিতৰত সেই
পিয়লা পোৱা গ'ল। ১৩ তেতিয়া তেওঁলোকে নিজৰ কাপোৰ ফালিলে।
নিজৰ গাধত বোজাবোৰ দি পুনৰ নগৰলৈ উভটি গ'ল। ১৪ যিহূদা আৰু
তেওঁৰ ভায়েক-ককায়েকসকল যেতিয়া যোচেফৰ ঘৰ আহি পালে,
যোচেফ তেতিয়াও তাতে আছিল। তেওঁলোকে তেওঁৰ সন্মুখলৈ গৈ
মাটিত উবুৰি হৈ পৰিল। ১৫ তেতিয়া যোচেফে তেওঁলোকক ক'লে,
"তোমালোকেনো এইটো কি কাম কৰিলা? তোমালোকে নাজানা নে
যে মোৰ নিচিনা এজন লোকে মঙ্গল চোৱাৰ অভ্যাস কৰিব পাৰে?" ১৬
যিহূদাই ক'লে, "মোৰ প্ৰভুকনো আমি কি ক'ম? উত্তৰেইবা কি দিম?
কেনেদৰেইবা আমি নিজক নিৰ্দ্দোষী বুলি প্ৰমাণ কৰিম? আপোনাৰ

দাসবোৰৰ অপৰাধ ঈশ্বৰেই প্ৰকাশ কৰি দিলে; যাৰ হাতত সেই পিয়লাটো পোৱা গৈছে, চাওঁক, সি আৰু আমি সকলোৱেই মোৰ প্ৰভুৰ দাস হলোঁ।" ১৭ তাতে যোচেফে ক'লে, "এনে কৰ্ম কৰা মোৰ পৰা দূৰ হওঁক; যাৰ হাতত পিয়লাটো পোৱা গৈছে, তেওঁহে মোৰ দাস হ'ব; কিন্তু আন সকলোৱে শান্তিৰে তোমালোকৰ পিতৃৰ কাষলৈ ঘূৰি যোৱা।" ১৮ তেতিয়া যিহূদাই তেওঁৰ ওচৰলৈ আগুৱাই গৈ ক'লে, "হে মোৰ মালিক, ফৰৌণ যেনে আপুনিও তেনে। দয়া কৰি মোৰ প্ৰভুৰ কাণত আপোনাৰ এই দাসক এষাৰ কথা জনাবলৈ অনুমতি দিয়ক। আপোনাৰ এই দাসৰ ওপৰত আপোনাৰ ক্ৰোধ প্ৰজ্বলিত নহওঁক। ১৯ মোৰ প্ৰভুৱে তেওঁৰ এই দাসবোৰক সুধিছিল, 'তোমালোকৰ পিতৃ আৰু কোনো ভাই আছে নে?' ২০ তাতে আমি প্ৰভুক কৈছিলোঁ, 'আমাৰ এজন বৃদ্ধ পিতা আছে আৰু তেওঁৰ বুঢ়া কালৰ এজন সৰু ল'ৰাও আছে; তাৰ ককায়েকৰ মৃত্যু হৈছে আৰু একে মাকৰ সন্তান হিচাবে সি এতিয়া অকলেই আছে; সেয়ে তাৰ পিতাই তাক অতি মৰম কৰে। ২১ পাছত আপুনি আপোনাৰ এই দাসবোৰক কৈছিল, 'তাক মোৰ ওচৰলৈ লৈ আনা, মই তাক চাব বিচাৰো।' ২২ তেতিয়া আমি প্ৰভুক কৈছিলোঁ, 'ল'ৰাটিয়ে তাৰ পিতাকক এৰি আহিব নোৱাৰে; কিয়নো যদি আহে, তেন্তে তাৰ পিতাৰ মৃত্যু হ'ব।' ২৩ কিন্তু আপুনি আপোনাৰ দাসবোৰক কৈছিল, 'তোমালোকৰ সৰু ভাইক লগত লৈ নাহিলে, তোমালোকে পুনৰ মোৰ মুখ দেখা নাপাবা।' ২৪ সেয়ে মোৰ প্ৰভুৰ সকলো কথা আমি আপোনাৰ দাস, মোৰ পিতাক কৈছিলোঁ। ২৫ পাছত আমাৰ পিতায়ে কৈছিল, 'তোমালোকে পুনৰ গৈ আমাৰ বাবে কিছু শস্য কিনি আনাগৈ।' ২৬ তেতিয়া আমি ক'লোঁ, 'আমাৰ সৰু ভাই যদি আমাৰ লগত যায়, তেতিয়াহে আমি যাম। নহ'লে আমি যাব নোৱাৰো। কিয়নো আমাৰ সৰু ভাই যদি আমাৰ লগত নাথাকে, তেন্তে সেই পুৰুষৰ মুখকে আমি দেখিবলৈ নাপাম।' ২৭ তেতিয়া আপোনাৰ দাস অৰ্থাৎ মোৰ পিতায়ে আমাক ক'লে, 'তোমালোকেতো জানাই যে মোৰ ভাৰ্যাই মোলৈ দুটি পুত্ৰ প্ৰসৱ কৰিছিল। ২৮ তাৰে এটি মোৰ পৰা ওলাই গ'ল আৰু মই কলোঁ, 'নিশ্চয় কোনো জন্তুৱে তাক ডোখৰ

ডোখৰ কৰি ছিৰাছিৰ কৰিলে; তাৰ পাছৰ পৰাই মই তাক পুনৰ দেখা
নাপালোঁ; ২৯ এতিয়া যদি তোমালোকে ইয়াকো মোৰ ওচৰৰ পৰা লৈ
যোৱা আৰু তাৰ যদি কোনো ক্ষতি হয়, তেন্তে এই পকা চুলিৰে সৈতে
শোকতে মোক তোমালোকে চিয়োললৈ পঠাবা।' **(Sheol h7585)** ৩০
গতিকে, এতিয়া মই আপোনাৰ দাসৰ কাষলৈ অৰ্থাৎ মোৰ পিতাৰ
কাষলৈ যদি ল'ৰাটো অবিহনে উভটি যাওঁ আৰু যিহেতু ল'ৰাটোৰ লগত
তেওঁৰ প্ৰাণ একেলগে বন্ধা আছে, ৩১ সেয়ে ল'ৰাটোক আমাৰ লগত
নেদেখিলে, তেওঁৰ নিশ্চয়ে মৃত্যু হ'ব। তাতে আপোনাৰ এই দাসবোৰে
আপোনাৰ দাস অৰ্থাৎ আমাৰ পিতাইক তেওঁৰ পকা চুলিৰে সৈতে
শোকতে চিয়োললৈ পঠাব; **(Sheol h7585)** ৩২ মই, এই আপোনাৰ দাসে
মোৰ পিতাৰ ওচৰত এই ল'ৰাৰ কাৰণে জামিন হৈ কৈছিলোঁ, 'মই
যদি তাক আপোনাৰ ওচৰলৈ নানো, তেন্তে পিতা মই চিৰকাললৈকে
আপোনাৰ ওচৰত অপৰাধী হৈ থাকিম। ৩৩ সেয়ে মোৰ প্ৰভু, দয়া কৰি
সেই ল'ৰাৰ পৰিবৰ্তে মোকে আপোনাৰ দাসৰ দৰে ৰাখক আৰু ল'ৰা
জনক তাৰ ককায়েকসকলৰ সৈতে ঘূৰি যাবলৈ দিয়ক। ৩৪ কিয়নো,
ল'ৰা জনক লগত নিনিয়াকৈ মই কেনেকৈ পিতাৰ ওচৰলৈ উলটি
যাম? মোৰ পিতালৈ যি আপদ ঘটিব, তাক মই চাব নোৱাৰিম।"

**৪৫** তেতিয়া যোচেফে তেওঁৰ কৰ্মচাৰীসকলৰ সন্মুখত নিজকে
নিয়ন্ত্ৰণত ৰাখিব নোৱাৰিলে। তেওঁ চিঞৰি ক'লে, "মোৰ আগৰ পৰা
সকলো গুছি যাওঁক।" সেয়ে ভায়েক-ককায়েকসকলৰ ওচৰত যোচেফে
যেতিয়া নিজৰ পৰিচয় দিছিল, তেতিয়া তেওঁৰ কাষত কোনো দাস থিয়
হৈ থকা নাছিল। ২ তাৰ পাছত তেওঁ চিঞঁৰি চিঞঁৰি ইমানকৈ কান্দিব
ধৰিলে যে, মিচৰীয়সকলে তেওঁৰ কান্দোন শুনা পালে আৰু ফৰৌণৰ
ঘৰত থকা লোকসকলেও শুনা পালে। ৩ যোচেফে ককায়েকসকলক
ক'লে, "মই যোচেফ! মোৰ পিতৃ কি এতিয়াও জীয়াই আছে?" এই
কথা শুনি তেওঁৰ ককায়েকসকলে একো উত্তৰ দিব নোৱাৰিলে; কাৰণ
যোচেফৰ উপস্থিতিত তেওঁলোক হতবুদ্ধি হ'ল। ৪ তেতিয়া যোচেফে
তেওঁৰ ভায়েক-ককায়েকসকলক ক'লে, "তোমালোকে অনুগ্ৰহ কৰি
মোৰ ওচৰ চাপি আহাঁ।" তাতে তেওঁলোকে ওচৰ চাপি অহাত তেওঁ

ক'লে, "মই যোচেফ, তোমালোকৰ সেই ভাই, যি জনক তোমালোকে
মিচৰ দেশলৈ বিক্ৰী কৰি দিছিলা। ৫ কিন্তু তোমালোকে মোক ইয়াত
বিক্ৰী কৰি দিছিলা বুলি এতিয়া বেজাৰ নকৰিবা নাইবা নিজৰ ওপৰত
খং নকৰিবা। কিন্তু প্ৰাণ ৰক্ষা কৰিবৰ কাৰণেহে ঈশ্বৰে তোমালোকৰ
আগেয়ে মোক ইয়ালৈ পঠিয়ালে। ৬ কাৰণ, এই দুবছৰ ধৰি দেশত
আকাল হৈছে; এইদৰে আৰু পাঁচ বছৰ কাল চলিব; কোনো খেতি
কৰা নহ'ব আৰু শস্য দোৱাও নহ'ব। ৭ পৃথিবীত অৱশেষ স্বৰূপে
তোমালোকৰ বংশক জীৱিত ৰাখিবৰ কাৰণে আৰু ধ্বংসৰ পৰা উদ্ধাৰ
কৰি তোমালোকৰ প্ৰাণ ৰক্ষা কৰিবৰ কাৰণে ঈশ্বৰে তোমালোকৰ
আগেয়ে মোক পঠাই দিলে। ৮ গতিকে, তোমালোকে মোক ইয়ালৈ
পঠোৱা নাই, ঈশ্বৰেহে পঠালে; তেওঁ মোক ফৰৌণৰ এজন পিতৃৰ
স্থানত ৰাখিলে আৰু তেওঁৰ গোটেই পৰিয়ালৰ অধিপতি কৰিলে।
ইয়াৰোপৰি তেওঁ মোক গোটেই মিচৰ দেশৰ ওপৰত শাসনকৰ্ত্তা
পাতিলে।" ৯ এতিয়া তোমালোকে অতি শীঘ্ৰেই পিতাৰ ওচৰলৈ গৈ
তেওঁক কোৱাগৈ যে, "আপোনাৰ পুত্ৰ যোচেফে এই কথা কৈছে,
'ঈশ্বৰে মোক সমুদায় মিচৰ দেশৰ অধিপতি কৰিলে; আপুনি এতিয়া
পলম নকৰি মোৰ ওচৰলৈ নামি আহঁক। ১০ আপুনি আহি গোচন
এলেকাত বাস কৰিব; তাতে আপুনি আৰু আপোনাৰ ল'ৰা-ছোৱালী,
আপোনাৰ নাতি-নাতিনী, আপোনাৰ পশু আৰু মেৰ-ছাগৰ জাককে
আদি কৰি যি সকলো আপোনাৰ আছে, সেই সকলোবোৰ লৈ মোৰ
কাষত থাকিব। ১১ আপোনাৰ, আপোনাৰ পৰিয়ালৰ আৰু আপোনাৰ
আন লোক সকলৰ যাতে কোনো অভাৱ নহয়, সেইবাবে মই সেই
ঠাইতে আপোনালোকৰ বাবে যোগানৰ ব্যৱস্থা কৰিম। কিয়নো
আকাল শেষ হ'বলৈ এতিয়াও পাঁচ বছৰ আছে।' ১২ মই যে নিজ
মুখেৰে তোমালোকক এইবোৰ কৈছোঁ, ইয়াক তোমালোকে নিজৰ
চকুৰে দেখা পাইছা আৰু মোৰ ভাই বিন্যামীনৰ চকুৱেও দেখিছে।
১৩ মিচৰ দেশত থকা মোৰ ক্ষমতাৰ বিষয়ে আৰু যি সকলোবোৰ
দেখিছা, সেইবোৰৰ বিষয়ে মোৰ পিতাৰ ওচৰত গৈ জনাবা। এতিয়া
সোনকাল কৰা আৰু পিতাক ইয়ালৈ লৈ আনাগৈ।" ১৪ তেতিয়া

তেওঁ তেওঁৰ ভায়েক বিন্যামীনৰ ডিঙিত ধৰি কান্দিবলৈ ধৰিলে আৰু বিন্যামীনেও তেওঁৰ ডিঙিত ধৰি কান্দিলে। ১৫ পাছত যোচেফে তেওঁৰ সকলো ভায়েক-ককায়েকক চুমা খালে আৰু তেওঁলোকৰো ডিঙিত ধৰি কান্দিলে; তাৰ পাছতহে তেওঁৰ ককায়েকসকলে তেওঁৰ লগত কথা পাতিলে। ১৬ যোচেফৰ ভায়েক-ককায়েকসকল অহাৰ বাতৰি যেতিয়া ফৰৌণৰ ঘৰৰ লোকসকলে শুনিবলৈ পালে, তেতিয়া ফৰৌণ আৰু তেওঁৰ কৰ্মচাৰীসকল অতিশয় আনন্দিত হ'ল। ১৭ ফৰৌণে যোচেফক ক'লে, "তোমাৰ ভাই-ককাইসকলক ক'বা, 'তেওঁলোকে যেন এনেদৰে কৰে: তেওঁলোকৰ গাধবোৰত শস্যৰ বোজা লৈ তেওঁলোক কনান দেশলৈ উলটি যাওঁক ১৮ আৰু তেওঁলোকৰ পিতৃৰ সৈতে সপৰিবাৰক লৈ তেওঁলোক মোৰ ওচৰলৈ আহক।' ইয়াকো ক'বা যে, 'মিচৰ দেশৰ উত্তম উত্তম বস্তু মই তেওঁলোকক দিম আৰু দেশৰ ভাল খাদ্য তেওঁলোকে ভোগ কৰিবলৈ পাব।' ১৯ এতিয়া তোমাক মই আদেশ দিছো, 'তুমি তোমাৰ ভাই-ককাইসকলক ক'বা: 'তোমালোকৰ ল'ৰা-ছোৱালী, ভাৰ্য্যাসকলৰ কাৰণে মিচৰ দেশৰ পৰা কিছুমান পশুৱে টনা গাড়ী লৈ যোৱা আৰু তোমালোকৰ পিতৃক লৈ ঘূৰি আহাঁ। ২০ তোমালোকে তোমালোকৰ বস্তুবোৰক লৈ চিন্তা নকৰিবা, কাৰণ সমগ্ৰ মিচৰ দেশৰ উত্তম উত্তম বস্তুবোৰতো তোমালোকৰেই'।" ২১ পাছত ইস্ৰায়েলৰ পুত্ৰসকলে তেনেকৈয়ে কৰিলে; ফৰৌণৰ আদেশ অনুসাৰে যোচেফে তেওঁলোকৰ কাৰণে গাড়ী আৰু পথত যোৱাৰ বাবে প্ৰয়োজনীয় বস্তুবোৰো দিলে। ২২ তেওঁ তেওঁলোকৰ প্ৰত্যেককে এযোৰকৈ পোছাক দিলে; কিন্তু বিন্যামীনক হ'লে তেওঁ তিনিশ চেকল ৰূপৰ মুদ্ৰা আৰু পাঁচ যোৰ পোছাক দিলে। ২৩ তাৰ পাছত তেওঁৰ পিতৃৰ কাৰণে তেওঁ এইখিনি বস্তু পঠালে: দহটা গাধ আৰু দহজনী গাধী। এই দহটা গাধৰ পিঠিত মিচৰ দেশৰ উত্তম উত্তম বস্তুবোৰ বোজাই কৰা আছিল আৰু গাধীবোৰৰ পিঠিত আছিল পিতৃৰ বাটৰ বাবে শস্য, পিঠা আৰু আন আন খোৱা বস্তু সমূহ। ২৪ এইদৰে ব্যৱস্থা কৰি তেওঁ নিজৰ ভায়েক-ককায়েকসকলক পঠাই দিলে। বিদায়ৰ সময়ত তেওঁ তেওঁলোকক ক'লে, "সাৱধান, বাটত তোমালোকে

কাজিয়া-পেচাল নকৰিবা।” ২৫ পাছত তেওঁলোকে মিচৰ দেশৰ পৰা
গৈ কনান দেশত থকা তেওঁলোকৰ পিতৃ যাকোবৰ ওচৰলৈ গ’ল। ২৬
তেওঁলোকে তেওঁক ক’লে, “যোচেফ এতিয়াও জীয়াই আছে, আৰু
সিয়েই গোটেই মিচৰ দেশৰ শাসনকর্তা।” যাকোবে যেতিয়া এই কথা
শুনিলে, তেতিয়া তেওঁ স্তম্ভিত হৈ পৰিল; কিয়নো পুত্ৰসকলৰ কথাষাৰ
তেওঁৰ বিশ্বাসেই হোৱা নাছিল। ২৭ পাছত যোচেফে তেওঁলোকক যি
যি কৈছিল, সেইবোৰ শুনি আৰু তেওঁক লৈ যোৱাৰ কাৰণে যোচেফে যি
গাড়ী পঠাইছিল, তাকে দেখি তেওঁলোকৰ পিতৃ যাকোবৰ মন জাগি
উঠিল। ২৮ তেওঁ ক’লে, “মোৰ পুত্ৰ যোচেফ যে এতিয়াও জীয়াই
আছে, সেয়াই যথেষ্ট; মৃত্যুৰ আগতে মই গৈ তাক চাম।”

**৪৬** ইস্ৰায়েলে নিজৰ সকলোকে লগত লৈ যাত্ৰা আৰম্ভ কৰিলে আৰু
গৈ বেৰ-চেবা পালে। তাতে তেওঁ নিজ পিতৃ ইচহাকৰ ঈশ্বৰৰ উদ্দেশ্যে
বলি উৎসর্গ কৰিলে। ২ ঈশ্বৰে ৰাতি দর্শনত ইস্ৰায়েলৰ লগত কথা
ক’লে; তেওঁ ক’লে, “যাকোব, হে যাকোব।” যাকোবে ক’লে, “এয়া
মই আছোঁ।” ৩ ঈশ্বৰে ক’লে, “মই ঈশ্বৰ, তোমাৰ পিতৃৰ ঈশ্বৰ।
মিচৰ দেশলৈ নামি যাবলৈ ভয় নকৰিবা; কিয়নো মই সেই ঠাইতে
তোমাৰ পৰা এক মহাজাতিৰ সৃষ্টি কৰিম। ৪ মই তোমাৰ সংগে
সংগে মিচৰলৈ নামি যাম আৰু পুনৰ ময়েই তোমাক নিশ্চয় উভটাই
আনিম। মৃত্যুকালত যোচেফে নিজ হাতেৰে তোমাৰ চকু বন্ধ কৰি
দিব।” ৫ তাৰ পাছত যাকোব বেৰ-চেবাৰ পৰা ৰাওনা হ’ল; ইস্ৰায়েলৰ
পুত্ৰসকলে তেওঁলোকৰ পিতৃ যাকোবক আৰু তেওঁলোকৰ ভাৰ্য্যাৰে
সৈতে লৰা-ছোৱালীকবোৰক লৈ ফৰৌণে যাকোবক নিবৰ কাৰণে
পঠোৱা বাহনবোৰত উঠি যাত্ৰা কৰিলে। ৬ যি সকলো পশুধন আৰু
ধন-সম্পত্তি তেওঁলোকে কনান দেশত লাভ কৰিছিল, সেই সকলোবোৰ
লগত লৈ যাকোব আৰু তেওঁৰ সকলো বংশধৰেই মিচৰ দেশ অভিমুখে
যাত্ৰা কৰিলে। ৭ এইদৰে যাকোবে তেওঁৰ পুতেক-জীয়েক, নাতি-
নাতিনী আৰু তেওঁৰ বংশধৰ সকলোকে নিজৰ লগত লৈ মিচৰ দেশলৈ
গ’ল। ৮ ইস্ৰায়েলীয়াসকল অর্থাৎ যাকোব আৰু তেওঁৰ বংশৰ যি
সন্তান সকল মিচৰ দেশলৈ আহিছিল, তেওঁলোকৰ নামৰ তালিকা এই:

যাকোবৰ জেষ্ঠ পুত্ৰ ৰূবেণ। ৯ ৰূবেণৰ পুত্ৰ হনোক, পল্লু, হিষ্ৰোণ, আৰু কৰ্ম্মী। ১০ চিমিয়োনৰ পুত্ৰ যিমূৱেল, যামীন, ওহদ, যাখীন, চোহৰ আৰু চৌল। চৌল এগৰাকী কনানীয়া মহিলাৰ পুত্ৰ। ১১ লেবীৰ পুত্ৰ গেৰ্চোন, কহাৎ, আৰু মৰাৰী। ১২ যিহূদাৰ পুত্ৰ এৰ, ওনন, চেলা, পেৰচ, আৰু জেৰহ; এৰ আৰু ওনন কনান দেশতে মৰিল। পেৰচৰ পুত্ৰ হিষ্ৰোণ আৰু হামূল। ১৩ ইচাখৰৰ পুত্ৰ তোলা, পুৱা, যোব আৰু চিম্ৰোণ। ১৪ জবূলূনৰ পুত্ৰ চেৰদ, এলোন আৰু যহলেল। ১৫ জীয়েক দীনাৰে সৈতে এওঁলোক লেয়াৰ দ্বাৰা যাকোবৰ বংশ। এওঁলোক পদ্দন-অৰামত জন্মিছিল। পুত্ৰ আৰু জীয়ৰীৰে সৈতে এওঁলোক সৰ্ব্বমুঠ তেত্ৰিশ জন আছিল। ১৬ গাদৰ পুত্ৰ চিপুন, হগ্গী, চূনী, ইচবোন, এৰী, আৰোদী আৰু অৰেলী। ১৭ আচেৰৰ পুত্ৰ যিম্না, যিচবা, যিচবি, বৰীয়া, আৰু তেওঁলোকৰ ভনীয়েক চেৰহ; বৰীয়াৰ পুত্ৰ হেবৰ আৰু মল্কীয়েল। ১৮ এওঁলোক হ'ল, লাবনে নিজৰ জীয়েক লেয়াৰ লগত দিয়া জিল্পাৰ যোগেদি; এওঁলোক আছিল সৰ্ব্বমুঠ ষোল্লজন। ১৯ যাকোবৰ ভাৰ্যা ৰাহেলৰ পুত্ৰ যোচেফ আৰু বিন্যামীন। ২০ ওন নগৰৰ পুৰোহিত পোটী-ফেৰাৰ জীয়েক আচনতে প্ৰসব কৰা মনচি আৰু ইফ্ৰয়িম, যোচেফৰ এই দুই পুত্ৰ মিচৰ দেশত জন্মিছিল। ২১ বিন্যামীনৰ পুত্ৰ বেলা, বেখৰ, অচবেল, গেৰা, নামন, এহী, ৰোচ, মূপপীম, হুপপীম আৰু অৰ্দ। ২২ এওঁলোক ৰাহেলে জন্ম দিয়া যাকোবৰ সন্তান; এওঁলোক আছিল সৰ্ব্বমুঠ চৌদ্ধ জন। ২৩ দানৰ পুত্ৰ হূচীম। ২৪ নপ্তালীৰ পুত্ৰ যহচিয়েল, গূনী, যেচৰ, আৰু চিল্লেম। ২৫ এওঁলোক হ'ল, লাবনে নিজৰ জীয়েক ৰাহেলৰ লগত দিয়া বিলহাৰ যোগেদি জন্ম হোৱা যাকোবৰ সন্তান। এওঁলোক সৰ্ব্বমুঠ সাতজন আছিল। ২৬ পুত্ৰ-বোৱাৰীৰ উপৰিও যাকোবৰ লগত মিচৰ দেশলৈ যিসকল লোক আহিছিল, তেওঁৰ নিজৰ বংশধৰৰ এই লোকসকল আছিল সৰ্ব্বমুঠ ছয়ষষ্ঠী জন। ২৭ মিচৰ দেশত যোচেফৰ যি দুজন পুত্ৰ জন্মিছিল আৰু যাকোবৰ পৰিয়ালৰ যিসকল লোক মিচৰলৈ গৈছিল, তেওঁলোক সৰ্ব্বমুঠ সত্তৰ জন আছিল। ২৮ যাকোবে নিজে যোৱাৰ আগেয়ে যিহূদাক যোচেফৰ ওচৰলৈ পঠাই দিলে, যাতে যোচেফে তেওঁক গোচনলৈ যোৱাৰ পথ দেখুৱাই দিয়ে;

আৰু তাৰ পাছত তেওঁলোক গৈ গোচন পালে। ২৯ যোচেফে নিজৰ ৰথ
সজালে আৰু তেওঁৰ পিতৃ ইস্রায়েলৰ সৈতে সাক্ষাত কৰিবলৈ গোচনলৈ
গ'ল। পিতৃক দেখা পায়েই যোচেফে তেওঁৰ ডিঙিত সাবটি ধৰি বহু
সময় কান্দিলে। ৩০ ইস্রায়েলে যোচেফক ক'লে, "তুমি যে এতিয়াও
জীয়াই আছা, আৰু মই যে তোমাৰ শ্ৰীমুখ নিজ চকুৰে দেখিলোঁ;
এতিয়া মই মৰিবলৈ প্ৰস্তুত আছোঁ।" ৩১ তাৰ পাছত যোচেফে ভায়েক-
ককায়েক আৰু তেওঁৰ পিতৃৰ ঘৰৰ সকলোকে ক'লে, "মই ফৰৌণৰ
ওচৰলৈ গৈ তেওঁক জনাওঁগৈ যে, 'কনান দেশত থকা মোৰ ভাই-
ককাইসকল আৰু মোৰ পিতৃৰ ঘৰৰ সকলো লোক মোৰ ওচৰলৈ
আহিছে। ৩২ এই লোকসকল মেৰ-ছাগৰ ৰখীয়া; পশুধন ৰখাই
হৈছে এওঁলোকৰ জীৱিকা। এওঁলোকে মেৰ-ছাগ আৰু ছাগলী, গৰুৰ
জাক আদি যি যি আছিল, সেই সকলোকে লৈ আনিছে'। ৩৩ তাতে
ফৰৌণে যেতিয়া তোমালোকক মাতি সুধিব, 'আপোনালোকে কি কাম
কৰে?' ৩৪ তেতিয়া তোমালোকে ক'বা, 'আপোনাৰ এই দাসবোৰ
আৰু আমাৰ পূৰ্বপুৰুষসকলে সৰু কালৰে পৰা এই পৰ্যন্ত পশু পালন
কৰি আহিছোঁ।' তোমালোকে গোচনত বাস কৰিবৰ বাবে এইদৰে
কৰা; কাৰণ পশুপালকসকল মিচৰীয়াসকলৰ মানত ঘৃণাৰ পাত্ৰ।"

**৪৭** যোচেফে ফৰৌণৰ ওচৰলৈ গৈ ক'লে, "মোৰ পিতৃ আৰু ভাই-
ককাইসকলে তেওঁলোকৰ মেৰ-ছাগ, ছাগলী, গৰুৰ জাক আদি যি
যি আছিল সকলোকে লৈ কনান দেশৰ পৰা আহি পালে। তেওঁলোক
এতিয়া গোচনত আছে।" ২ ভাই-ককাইসকলৰ মাজৰ পাচঁজনক বাচি
লৈ তেওঁ ফৰৌণৰ সৈতে পৰিচয় কৰাই দিলে। ৩ ফৰৌণে তেওঁলোকক
সুধিলে, "আপোনালোকৰ জীৱিকা কি?" তেওঁলোকে ক'লে, "আমাৰ
পূৰ্বপুৰুষসকলৰ দৰে আপোনাৰ এই দাসবোৰ পশুপালক।" ৪
তেওঁলোকে পুনৰ ক'লে, "আমি এই দেশত কিছুকালৰ বাবে থাকিবলৈ
আহিছোঁ। কনান দেশত অতিশয় আকাল হোৱাৰ কাৰণে আপোনাৰ
এই দাসবোৰৰ পশুৰ জাকে খাবলৈ চৰণীয়া ঠাই পোৱা নাই; সেয়ে
দয়া কৰি আপোনাৰ এই দাসবোৰক গোচনত থাকিবলৈ অনুমতি
দিয়ক।" ৫ ফৰৌণে যোচেফক ক'লে, "তোমাৰ পিতৃ আৰু তোমাৰ

ভাই-ককাইসকল তোমাৰ ওচৰলৈ আহিল। ৬ মিচৰ দেশখনেই
তোমাৰ সন্মুখত আছে। দেশৰ সকলোতকৈ উত্তম ঠাইত তোমাৰ
পিতৃ আৰু ভাই-ককাইসকলক থাকিবলৈ দিয়া। তেওঁলোক গোচনতে
বাস কৰক। তেওঁলোকৰ মাজত কোনো যোগ্য লোকক যদি জানা,
তেন্তে মোৰ পশুধনৰো দায়িত্ব তেওঁলোকৰ ওপৰত দিয়া।” ৭ তাৰ
পাছত যোচেফে তেওঁৰ পিতৃ যাকোবক আনি ফৰৌণৰ সন্মুখত
উপস্থিত কৰিলে। তাতে যাকোবে ফৰৌণক আশীৰ্ব্বাদ কৰিলে।
৮ ফৰৌণে যাকোবক সুধিলে, “আপোনাৰ বয়স কিমান হ’ল?” ৯
যাকোবে ক’লে, “মোৰ আয়ুসৰ যাত্ৰাকাল এশ ত্ৰিশ বছৰ; মোৰ জীৱনৰ
আয়ুস অলপদিনীয়া আৰু দুখজনক। মোৰ পূৰ্বপুৰুষসকলে যিমান দীৰ্ঘ
দিনলৈকে জীৱন কটাইছিল, মই সিমান আয়ুস পোৱা নাই।” ১০ তাৰ
পাছত যাকোবে ফৰৌণক আশীৰ্ব্বাদ কৰি তাৰ পৰা ওলাই গ’ল।
১১ যোচেফে তেওঁৰ পিতৃ আৰু ভাই-ককাইসকলৰ বাবে স্থায়ীভাৱে
বসবাসৰ ব্যৱস্থা কৰিলে। ফৰৌণৰ আজ্ঞা অনুসাৰে, মিচৰ দেশৰ
আটাইতকৈ উত্তম ঠাই ৰামিচেচৰ অঞ্চলত যোচেফে অধিকাৰ হিচাবে
তেওঁলোকক বসতি কৰিবলৈ দিলে। ১২ যোচেফে তেওঁৰ পিতৃ, ভাই-
ককাই আৰু পিতৃৰ পৰিয়ালৰ সকলোকে আহাৰ যোগান ধৰিলে, আৰু
তেওঁলোকৰ ল’ৰা-ছোৱালীৰ সংখ্যা অনুসাৰে যোগান ধৰিলে। ১৩
পাছত আকাল ইমান ভীষণ হ’ল যে, গোটেই দেশৰ কোনো ঠাইতে
আহাৰ পাবলৈ নাইকিয়া হ’ল। আকালৰ কাৰণে মিচৰ আৰু কনান
দেশ বিধ্বস্ত হৈ পৰিল। ১৪ মিচৰ আৰু কনান দেশৰ বাসিন্দাসকলৰ
শস্য বিক্ৰী কৰি পোৱা যি ধন সেই দুই দেশত আছিল, যোচেফে তাক
গোটাই ফৰৌণৰ ৰাজকাৰেঙলৈ আনিলে। ১৫ যেতিয়া মিচৰ আৰু
কনান দেশৰ সকলো ধন শেষ হ’ল, তেতিয়া মিচৰীয়সকলে যোচেফৰ
ওচৰলৈ আহি ক’লে, “আমাক শস্য দিয়ক! আমি আপোনাৰ চকুৰ
আগতেই মৰিম নেকি? কিয়নো আমাৰ যি ধন আছিল সকলো শেষ
হ’ল?” ১৬ যোচেফে ক’লে, “তেনেহ’লে তোমালোকৰ পশুধনবোৰ
মোক দিয়া; তোমালোকৰ ধন যদি শেষ হ’ল, তেন্তে সেইবোৰৰ
সলনিয়েই মই শস্য দিম।” ১৭ তেতিয়া লোকসকলে তেওঁলোকৰ

সকলো পশুধন যোচেফৰ ওচৰলৈ আনিবলৈ ধৰিলে। ঘোঁৰা, মেৰ-ছাগ, ছাগলী, গৰুৰ জাক আৰু গাধবোৰৰ সলনি তেওঁ তেওঁলোকক শস্য দিলে; এইদৰে পশুবোৰ লৈ যোচেফে সেই বছৰ তেওঁলোকলৈ আহাৰ যোগালে। ১৮ সেই বছৰ অন্ত হোৱাত, তাৰ পাছৰ বছৰত লোকসকলে যোচেফৰ ওচৰলৈ আহি ক'লে, "প্ৰভুৰ ওচৰত আমি লুকাই নাৰাখোঁ যে, আমাৰ সকলো ধন শেষ হ'ল আৰু আমাৰ পশুবোৰো প্ৰভুৰেই হ'ল; এতিয়া শৰীৰ আৰু মাটিৰ বাহিৰে প্ৰভুক দিবলৈ আমাৰ একো নাই। ১৯ মাটিৰে সৈতে আমি সকলোবোৰ আপোনাৰ চকুৰ সন্মুখতে বিনষ্ট হ'ম কিয়? সেয়ে আপুনি আমাক আৰু আমাৰ মাটিকো কিনি লওক আৰু তাৰ সলনি আমাক আহাৰ দিয়ক। মাটিয়ে সৈতে আমি সকলো ফৰৌণৰ দাস হৈ থাকিম। তাৰ পাছত আমি যেন নমৰি জীয়াই থাকিব পাৰোঁ, সেই কাৰণে আমাক কিছুমান বীজো দিয়ক; তাতে আমাৰ মাটি ছন পৰি নাথাকিব।" ২০ তেতিয়া যোচেফে মিচৰ দেশৰ সকলো মাটি ফৰৌণৰ বাবে কিনি ল'লে; আকাল ইমান বেছি হ'ল যে, মিচৰীয়সকলে তেওঁলোকৰ নিজ নিজ মাটি বেচি দিব লগীয়া হ'ল। এইদৰে মিচৰ দেশৰ সকলো মাটি ফৰৌণৰ হ'ল। ২১ ফৰৌণৰ দাস হ'বৰ কাৰণে যোচেফে লোকসকলক মিচৰ দেশৰ এক সীমাৰ পৰা অন্য সীমা পৰ্যন্ত তুলি আনিলে। ২২ কেৱল পুৰোহিতসকলৰ মাটিহে যোচেফে নিকিনিলে; কিয়নো পুৰোহিতসকলে ফৰৌণৰ পৰা এক অংশ পায় আৰু তাৰেই তেওঁলোক চলে। সেয়ে তেওঁলোকে নিজৰ মাটি নেবেচিলে। ২৩ তেতিয়া যোচেফে লোকসকলক ক'লে, "চোৱা, ফৰৌণৰ পক্ষে মই আজি তোমালোকক আৰু তোমালোকৰ মাটি কিনি ললোঁ। এতিয়া এয়া বীজ তোমালোকে লোৱা আৰু গৈ নিজৰ মাটিত খেতি কৰা। ২৪ শস্য চপোৱাৰ পাছত শস্যৰ পাঁচ ভাগৰ এভাগ ফৰৌণক অৱশ্যেই দিবা; বাকি চাৰিভাগ হ'লে, মাটিৰ বীজৰ কাৰণে আৰু তোমালোকৰ নিজৰ ও পৰিয়ালৰ সকলো ল'ৰা-ছোৱালীবোৰৰ আহাৰৰ কাৰণে ৰাখিবা।" ২৫ তেওঁলোকে ক'লে, "আপুনি আমাৰ প্ৰাণ ৰক্ষা কৰিলে। আপোনাৰ দৃষ্টিত দয়া পালে আমি ফৰৌণৰ দাস হৈ থাকিম।" ২৬ পাছত যোচেফে মিচৰৰ ভূমি সম্বন্ধে এই ব্যৱস্থা স্থাপন

কৰিলে যে, সকলো শস্যৰ পাঁচ ভাগৰ এভাগ ফৰৌণৰ হ'ব। এইটো
ব্যৱস্থা মিচৰ দেশত আজিলৈকে চলি আছে; কেৱল পুৰোহিতসকলৰ
মাটিহে ফৰৌণৰ নহ'ল। ২৭ ইস্ৰায়েলে মিচৰ দেশৰ গোচনত বাস
কৰিবলৈ ধৰিলে। সেই ঠাই অধিকাৰ কৰি তেওঁলোক বহুবংশ হ'ল
আৰু অতিশয়ৰূপে বৃদ্ধি পালে। ২৮ মিচৰ দেশত যাকোবে সোঁতৰ বছৰ
জীয়াই থাকিল। সেয়ে, তেওঁ সৰ্ব্বমুঠ এশ সাতচল্লিশ বছৰ জীয়াই
আছিল। ২৯ ইস্ৰায়েলৰ মৃত্যুৰ সময় ওচৰ হোৱাত, তেওঁ নিজ পুত্ৰ
যোচেফক মাতি আনি ক'লে, "তোমাৰ অনুগ্ৰহ যদি মোলৈ হয়, মোৰ
কৰঙনৰ তলত তোমাৰ হাত ৰাখি মোক কথা দিয়া যে, তুমি মোৰ প্ৰতি
বিশ্বাসী আৰু বিশ্বস্ত হৈ থাকিবা। অনুগ্ৰহ কৰি মোক মিচৰত মৈদাম
নিদিবা। ৩০ কাৰণ মই মোৰ পূৰ্বপুৰুষসকলৰ মৈদামৰ মাজত সমাধিস্থ
হ'ব বিচাৰো। তুমি মোৰ মৃতদেহ মিচৰ দেশৰ পৰা বাহিৰ কৰি লৈ গৈ
আমাৰ পূৰ্বপুৰুষসকলক যি ঠাইত মৈদাম দিয়া হৈছিল, সেই ঠাইতে
মোকো মৈদাম দিবা।" যোচেফে তেওঁক ক'লে, "আপুনি কোৱাৰ
দৰেই মই কৰিম।" ৩১ ইস্ৰায়েলে পুনৰায় ক'লে, "মোৰ ওচৰত শপত
খোৱা।" তেতিয়া যোচেফে যাকোবৰ ওচৰত শপত খালে। তাৰ পাছত
ইস্ৰায়েল শয্যাৰ মূৰৰ শিতানত মূৰ দোঁৱাই পৰিল।

**৪৮** এইবোৰ ঘটনা ঘটি যোৱাৰ পাছত কোনো এজনে আহি
যোচেফক ক'লে, "চোৱা, তোমাৰ পিতৃ নৰিয়াত পৰিছে।" সেয়ে তেওঁ
তেওঁৰ দুজন পুত্ৰ, মনচি আৰু ইফ্ৰয়িমক লগত লৈ পিতৃৰ ওচৰলৈ
গ'ল। ২ যেতিয়া যোচেফ গৈ পালে, তেতিয়া কোনো এজনে আহি
যাকোবক ক'লে, "চাওক, আপোনাৰ পুত্ৰ যোচেফে আপোনাক চাবলৈ
ওচৰলৈ আহিছে।" তেতিয়া ইস্ৰায়েলে বল পালে আৰু শয্যাত উঠি
বহিল। ৩ তেতিয়া যাকোবে যোচেফক ক'লে, "সৰ্ব্বশক্তিমান ঈশ্বৰে
কনান দেশৰ লুজত মোক দৰ্শন দিলে, ৪ আৰু তেওঁ মোক আশীৰ্ব্বাদ
কৰি ক'লে, 'চোৱা মই তোমাক বহুবংশ কৰিম আৰু অতিশয়ৰূপে বৃদ্ধি
কৰিম। মই তোমাৰ পৰাই জাতি সমূহ উৎপন্ন কৰিম আৰু চিৰকাল
অধিকাৰ কৰিবৰ অৰ্থে মই তোমাৰ ভাবী-বংশক এই দেশ দিম। ৫
মই মিচৰত তোমাৰ ওচৰলৈ অহাৰ আগতে তোমাৰ যি দুজন পুত্ৰ

মিচৰ দেশত জন্মিছে, তেওঁলোকো মোৰেই। ৰূবেণ আৰু চিমিয়োনৰ
দৰে ইফ্রয়িম আৰু মনচি মোৰেই হ'ব। ৬ তেওঁলোকৰ পাছত তোমাৰ
যি সন্তান জন্ম হ'ব, সেই সন্তান সকল হ'লে তোমাৰ হ'ব। সেই
দুজন ভায়েক-ককায়েকৰ নাম অনুসাৰেই তেওঁলোকৰ অধিকাৰত
তেওঁলোক প্ৰখ্যাত হ'ব। ৭ কিন্তু মোৰ হ'লে, যেতিয়া মই পদ্দনৰ পৰা
আহি আছিলোঁ, তেতিয়া ইফ্ৰাথ পাবলৈ কিছু সময় থাকোতেই কনান
দেশৰ বাটত ৰাহেল মৰিল। মই বাটত আহি থাকোতেই ইফ্ৰাথ তেওঁক
মৈদাম দিলোঁ।" ৮ পাছত ইস্রায়েলে যেতিয়া যোচেফৰ পুত্র দুজনক
দেখিলে, তেতিয়া তেওঁ সুধিলে, "এওঁলোক কোন?" ৯ তাতে যোচেফে
তেওঁৰ পিতৃক ক'লে, "ঈশ্বৰে এই ঠাইত মোক দিয়া, এওঁলোক মোৰ
পুত্ৰ।" তেতিয়া ইস্রায়েলে তেওঁক ক'লে, "তেওঁলোকক মোৰ ওচৰলৈ
লৈ আহা, মই তেওঁলোকক আশীৰ্ব্বাদ দিওঁ।" ১০ বৃদ্ধ হৈ অহাৰ
কাৰণে ইস্রায়েলৰ চকু দুৰ্ব্বল হৈ পৰিছিল, সেয়ে তেওঁ ভালদৰে
দেখা পোৱা নাছিল। পাছত যোচেফে তেওঁলোকক তেওঁৰ ওচৰলৈ
লৈ আহিল, তেতিয়া তেওঁ তেওঁলোকক চুমা খালে, আৰু সাবট মাৰি
ধৰিলে। ১১ ইস্রায়েলে যোচেফক ক'লে, "মই ভাবিছিলোঁ তোমাৰ
মুখকেই দেখিবলৈ নাপাম; কিন্তু চোৱা, ঈশ্বৰে মোক তোমাৰ সন্তানকো
দেখুৱালে।" ১২ তেতিয়া যোচেফে ইস্রায়েলৰ আঠু দুটাৰ মাজৰ পৰা
তেওঁলোকক উলিয়াই আনিলে, আৰু মাটিত মুখ লগাই প্ৰণিপাত
কৰিলে। ১৩ যোচেফে তেওঁলোক দুয়োকো ইস্রায়েলৰ ওচৰলৈ
আনিলে। ইফ্রয়িমক তেওঁৰ সোঁ হাতেৰে ধৰি ইস্রায়েলৰ বাওঁহাতলৈ,
আৰু মনচিক তেওঁৰ বাওঁ হাতেৰে ধৰি ইস্রায়েলৰ সোঁহাতলৈ লৈ
আহিল। ১৪ কিন্তু ইস্রায়েলে তেওঁৰ সোঁ হাত মেলি ইফ্রয়িম সৰুটোৰ
মূৰত, আৰু বাওঁ হাত মনচিৰ মূৰত দিলে; তেওঁ বুজিবাজি হাত দিলে;
কিয়নো মনচি জেষ্ঠ পুত্ৰ। ১৫ পাছত তেওঁ যোচেফক আশীৰ্ব্বাদ কৰি
ক'লে, "যি ঈশ্বৰৰ সাক্ষাতে মোৰ ওপৰপিতৃ অব্ৰাহাম আৰু ইচহাক
চলিছিল, যি ঈশ্বৰে পূৰ্বৰে পৰা আজিলৈকে মোক প্ৰতিপালন কৰি
আহিছে, ১৬ যি দূতে সকলো আপদৰ পৰা মোক মুক্ত কৰিলে,
তেৱেঁই এই ল'ৰাহঁতক আশীৰ্ব্বাদ কৰক। মোৰ নাম আৰু মোৰ ওপৰ-

পিতৃ অব্ৰাহাম আৰু ইচহাকৰ নাম এওঁলোকৰ দ্বাৰাই প্ৰখ্যাত হওক।
এওঁলোক বাঢ়ি বাঢ়ি পৃথিবীৰ মাজত বহুবংশ হওক।" ১৭ পাছত
যোচেফে তেওঁৰ বাপেকৰ সোঁ হাত ইফ্ৰয়িমৰ মূৰত দেখি অসন্তোষ
পালে; তাতে তেওঁ ইফ্ৰয়িমৰ মূৰৰ পৰা মনচি মূৰত দিবলৈ, বাপেকৰ
হাত দাঙি বাপেকক ক'লে, ১৮ "এনে নহয় পিতৃ; কিয়নো এওঁহে
জ্যেষ্ঠ; এওঁৰেই মূৰত আপোনাৰ সোঁ হাত দিয়ক।" ১৯ কিন্তু এই
কথাত তেওঁৰ পিতৃ অমান্তি হ'ল আৰু ক'লে, "মোৰ পুত্ৰ মই জানো;
মই জানিছোঁ। তেৱোঁ এক জাতি হ'ব আৰু এৱোঁ মহান হ'ব, তথাপিও
ইয়াৰ সৰু ভায়েক হ'লে, ইয়াতকৈয়ো মহান হ'ব, আৰু তেওঁৰ বংশই
জাতি সমূহৰ মাজত বৃদ্ধি হৈ যাব।" ২০ তেওঁলোকক সেইদিনাই তেওঁ
আশীৰ্ব্বাদ কৰিলে আৰু ক'লে, "ইস্ৰায়েলৰ লোকসকলে আশীৰ্ব্বাদ
কৰাৰ সময়ত তোমালোকৰ নাম ধৰি ক'ব, 'ঈশ্বৰে তোমাক ইফ্ৰয়িম
আৰু মনচিৰ নিচিনা কৰক'।" এইদৰে তেওঁ মনচিতকৈ ইফ্ৰয়িমক
অগ্ৰগণ্য কৰিলে। ২১ পাছত ইস্ৰায়েলে যোচেফক ক'লে, "চোৱা, মই
এতিয়া প্ৰায় মৰিবলৈ ওলোৱাৰ নিচিনা; কিন্তু ঈশ্বৰ তোমালোকৰ সঙ্গী
হ'ব, আৰু তোমালোকক পুনৰায় তোমালোকৰ ওপৰ-পিতৃসকলৰ
দেশলৈ লৈ যাব। ২২ তোমাক মই তোমাৰ ভাই-ককাইসকলতকৈ
অধিক দিলোঁ, মোৰ নিজ তৰোৱাল আৰু ধনুৰে ইমোৰীয়াসকলৰ পৰা
যি পাহাৰ লৈছিলোঁ, সেয়া মই তোমাক বেচিকৈ দিছোঁ।"

**৪৯** পাছত যাকোবে তেওঁৰ পুত্ৰসকলক মাতি আনিলে আৰু ক'লে,
"তোমালোক গোট খোৱা; আগলৈ তোমালোকৰ যি যি ঘটিব, সেই
বিষয়ে মই তোমালোকক জনাওঁ। ২ হে যাকোবৰ পুত্ৰসকল, গোট
খোৱা আৰু শুনা; তোমালোকৰ পিতৃ ইস্ৰায়েলৰ বাক্য শ্ৰৱণ কৰা। ৩
হে ৰূবেণ, তুমি মোৰ জ্যেষ্ঠ পুত্ৰ, মোৰ বল, আৰু মোৰ শক্তিৰ প্ৰথম
ফল; তুমি মৰ্যদাত লক্ষণীয় আৰু পৰাক্ৰমত লক্ষণীয়। ৪ তুমি উতলা
পানীৰ নিচিনা হোৱা বাবে তোমাৰ প্ৰাধান্যতা নাথাকিব; কিয়নো তুমি
নিজ পিতৃৰ শোৱা বিচনালৈ উঠি গৈছিলা। তেতিয়া তুমি অপবিত্ৰ কৰ্ম
কৰিছিলা। সি মোৰ শয্যালৈ উঠি গৈছিল। ৫ চিমিয়োন আৰু লেবী
দুয়ো ভাই, সিহঁতৰ তৰোৱাল হিংস্ৰতাৰ অস্ত্ৰ। ৬ মই নিজে সিহঁতৰ

সভালৈ নাহিম; মোৰ হৃদয়ৰ বহু সন্মানৰ বাবে, মই সিহঁতৰ সমাজত
যোগ নহম। কিয়নো সিহঁতে ক্ৰোধত নৰ-হত্যা কৰে, আৰু আনন্দ কৰি
ষাঁড় গৰুবোৰ বধ কৰে। ৭ সিহঁতৰ খং অভিশপ্ত হওক, সেয়ে প্ৰচণ্ড,
প্ৰকোপ আৰু নিষ্ঠুৰ মই যাকোবৰ মাজত সিহঁতক ভাগ কৰিম; আৰু
ইস্ৰায়েলৰ মাজত সিহঁতক ছিন্ন-ভিন্ন কৰিম। ৮ হে যিহূদা, তোমাক
হ'লে, নিজৰ ভাইসকলে প্ৰশংসা কৰিব; তোমাৰ হাতে শত্ৰুবোৰৰ
ডিঙিত ধৰিব; তোমাৰ পিতৃৰ সন্তান সকলে তোমাৰ আগত প্ৰণিপাত
কৰিব। ৯ যিহূদা যুবা সিংহ; হে মোৰ বোপা, তুমি পশু ছিৰি পেলোৱাৰ
পৰা উঠি আহিলা। সি সিংহৰ দৰে পৰি শুইছে, এনে কি, শক্তিশালী
সিংহৰ দৰে শুইছে; কোনে তাক জগাব? ১০ চীলো নহালৈকে যিহূদাৰ
পৰা ৰাজদণ্ড নাযাব, আৰু তাৰ ভৰি দুখনৰ মাজৰ পৰা বিচাৰদণ্ড
নুগুচিব; লোক সমূহ সেই জনাৰ আজ্ঞাধীন হ'ব। ১১ সি দ্ৰাক্ষালতাত
নিজৰ ডেকা গাধ, আৰু উত্তম দ্ৰাক্ষালতাত নিজৰ গাধ পোৱালি বান্ধি,
নিজ বস্ত্ৰ দ্ৰাক্ষাৰসত, নিজ কাপোৰ দ্ৰাক্ষাদুটিৰ তেজৰূপ ৰসত ধুইছে।
১২ তাৰ চকু দ্ৰাক্ষাৰসেৰে ৰঙা, তাৰ দাঁত গাখীৰেৰে বগা। ১৩ জবূলূনে
সমুদ্ৰৰ তীৰত বসতি কৰিব; সি জাহাজবোৰৰ আশ্ৰয়ৰ তীৰ হ'ব;
আৰু চীদোনলৈকে তাৰ সীমা হ'ব। ১৪ ইচাখৰ বলৱান গাধ; সি দুটা
গঁৱালৰ মাজত শোৱে। ১৫ সি জিৰণিক ভাল দেখি, আৰু দেশক সুন্দৰ
দেখি, ভাৰ ব'বলৈ নিজৰ কান্ধ পাতি দিলে আৰু কৰি দিবলগীয়া
কামৰ ভাৰ লৈ দাস হ'ল। ১৬ দান ইস্ৰায়েলৰ এক ফৈদ হ'ল; তেওঁ
নিজ লোকসকলৰ সোধ-বিচাৰ কৰিব। ১৭ দান পথৰ দাঁতিত থকা
সাপ, সি পথৰ দাঁতিত থকা বিষাক্ত সাপ, যিয়ে ঘোঁৰাৰ ঠেঙত দংশিব
পাৰে, য'ত অশ্বাৰোহী জন পাছফালে পৰিব। ১৮ হে যিহোৱা, মই
তোমাৰ পৰিত্ৰাণলৈ অপেক্ষা কৰি আছোঁ। ১৯ গাদ - অশ্বাৰোহীয়ে
তেওঁক হ'লে আক্ৰমণ কৰিব; কিন্তু সি সিহঁতৰ পাছফালে আক্ৰমণ
কৰিব। ২০ আচেৰৰ মাজৰ পৰা নিজৰ উত্তম আহাৰ জন্মিব; সি
ৰজাই খাব পৰা সুখাদ্য আহাৰ যোগাব। ২১ নপ্তালী মুকলি হোৱা
হৰিণ; সি মনোহৰ কথা কয়। ২২ যোচেফ ফলৱান গছৰ ডাল; ভুমুকৰ
ওচৰত থকা লাগনী গছৰ ডাল; তাৰ ডালবোৰ গড়ৰ ওপৰলৈকে জুৰি

যায়। ২৩ ধনুৰ্দ্ধৰসকলে তাক বৰকৈ ক্লেশ দিলে, আৰু তাৰৈ কঢ়িয়াই
আনি তাক তাড়না কৰিলে; ২৪ কিন্তু তেওঁৰ অৱশিষ্ট ধনু অতল হৈ
থাকিল, আৰু তেওঁৰ হাত দক্ষতাপূৰ্ণ কিয়নো যাকোবৰ একমাত্ৰ
পৰাক্ৰমী জনাৰ হাতৰ দ্বাৰাই, কিয়নো তেওঁৰ নাম মেৰ-ছাগৰ ৰখীয়া,
ইস্ৰায়েলৰ শিলা। ২৫ কিয়নো তোমাৰ পিতৃ ঈশ্বৰ, তেৱেঁ তোমাক
সহায় কৰিব, কিয়নো সৰ্ব্বশক্তিমান ঈশ্বৰ জনাই আশীৰ্ব্বাদ কৰিব,
তেওঁ ওপৰত থকা আকাশৰ আশীৰ্ব্বাদৰ সৈতে তলত থকা অগাধ
জল, স্তন আৰু গৰ্ভৰ আশীৰ্ব্বাদেৰে, তোমাক আশীৰ্ব্বাদ কৰিব। ২৬
মোৰ পূৰ্বপুৰুষসকলৰ আশীৰ্ব্বাদতকৈ তোমাৰ নিজ পিতৃৰ আশীৰ্ব্বাদ
ফলদায়ক হ'ল, আৰু চিৰকালীয়া পৰ্ব্বতৰ সীমালৈকে বিয়পি গ'ল।
সেয়ে যোচেফৰ মূৰত থকিব; ভায়েক- ককায়েকসকলৰ পৰা পৃথকে
থকা জনৰ মূৰৰ তালুত থাকিব। ২৭ বিন্যামীন পশু ছিৰি পেলাব পৰা
ৰাংকুকুৰ। ৰাতিপুৱা সি মৃগ ভক্ষণ কৰিব; সন্ধিয়া পৰত লুটদ্ৰব্য ভগাই
দিব।" ২৮ এই সকলেই হ'ল ইস্ৰায়েলৰ বাৰ ফৈদ; আৰু তেওঁলোকৰ
পিতৃয়ে আশীৰ্ব্বাদ কৰি তেওঁলোকক কোৱা কথাও এয়ে। তেওঁলোকৰ
প্ৰতিজনকে এইদৰে তেওঁ বিশেষ বিশেষ আশীৰ্ব্বাদেৰে আশীৰ্ব্বাদ
কৰিলে। ২৯ পাছত তেওঁ তেওঁলোকক আজ্ঞা কৰি ক'লে, "মই মোৰ
নিজ লোকসকলৰ ওচৰলৈ যাম। হিত্তীয়া ইফ্ৰোণৰ পথাৰত যি গুহা
আছে, তাতে মোৰ ওপৰ-পিতৃসকলৰ সৈতে মোক মৈদাম দিবা।
৩০ সেই গুহা কনান দেশত মম্ৰিৰ ওচৰৰ মকপেলাৰ পথাৰত আছে,
অব্ৰাহামে মৈদাম দিবৰ বাবে সেই গুহা হিত্তীয়া ইফ্ৰোণৰ পৰা পথাৰে
সৈতে কিনি লৈছিল। ৩১ সেই ঠাইতে অব্ৰাহাম আৰু তেওঁৰ ভাৰ্যা
চাৰাক মৈদাম দিয়া হ'ল; সেই ঠাইতে ইচহাক আৰু তেওঁৰ ভাৰ্যা
ৰিবেকাকো মৈদাম দিয়া হ'ল, আৰু সেই ঠাইতে মইও লেয়াক মৈদাম
দিলোঁ। ৩২ সেই পথাৰ আৰু গুহা হেতৰ সন্তান সকলৰ পৰা কিনা
হৈছিল।" ৩৩ এইদৰে যাকোবে তেওঁৰ পুত্ৰসকলক আজ্ঞা দিয়াৰ
পাছত, ভৰি দুখন শয্যাৰ ওপৰত কোঁচ খুৱাই ল'লে আৰু শেষ নিশ্বাস
ত্যাগ কৰিলে। পাছত তেওঁৰ লোকসকলৰ ওচৰলৈ তেওঁক নিয়া হ'ল।

৫০ তেতিয়া যোচেফে তেওঁৰ বাপেকৰ মুখৰ ওপৰত মুখ দি
পৰিল, আৰু কান্দি কান্দি তেওঁক চুমা খালে। ২ পাছত যোচেফে
তেওঁৰ বাপেকৰ মৃতদেহ সুগন্ধিদ্ৰব্যযুক্ত কৰি ৰাখিবলৈ, তেওঁৰ দাস
চিকিৎসকসলক আজ্ঞা দিলে; তাতে চিকিৎসকসকলে ইস্ৰায়েলৰ দেহ
সুগন্ধিদ্ৰব্যযুক্ত কৰিলে। ৩ তেওঁলোকে এই কাৰ্যত চল্লিশ দিন সময়
ল'লে; কিয়নো সেই কাৰ্য কৰিবলৈ ইমান দিনেই প্ৰয়োজন হয়। পাছত
মিচৰীয়াসকলে তেওঁৰ কাৰণে সত্তৰ দিন শোক কৰিলে। ৪ সেই শোকৰ
দিন অতীত হোৱাৰ পাছত, যোচেফে ফৰৌণৰ অধিকাৰীসকলক ক'লে,
"মই যদি আপোনালোকৰ আগত অনুগ্ৰহ প্ৰাপ্ত হৈছোঁ, তেনেহলে বিনয়
কৰোঁ, ফৰৌণৰ ওচৰত এই কথা কওক যে, ৫ 'মোৰ পিতৃয়ে মোক
শপত কৰাই কৈছিল, চোৱা, মই এতিয়া মৰোঁহে; কনান দেশত মই
মোৰ নিজৰ অৰ্থে খান্দি থোৱা মৈদামতেই তুমি মোক মৈদাম দিবা'।
এতেকে, মই বিনয় কৰোঁ, এতিয়া মোৰ পিতৃক মৈদাম দিবলৈ মোক
যাব দিয়ক; পাছত মই পুনৰ ঘূৰি আহিম'।" ৬ তেতিয়া ফৰৌণে
ক'লে, "যোৱা; তোমাৰ পিতৃয়ে তোমাক শপত কৰোঁৱাৰ দৰেই তুমি
তেওঁক মৈদাম দিয়াগৈ।" ৭ তেতিয়া যোচেফে তেওঁৰ বাপেকক
মৈদাম দিবলৈ যাত্ৰা কৰিলে; তাতে ফৰৌণৰ পাত্ৰমন্ত্ৰীসকল, তেওঁৰ
ঘৰৰ বৃদ্ধসকল, মিচৰ দেশৰ সকলো বৃদ্ধ লোক, ৮ যোচেফ আৰু
তেওঁৰ আটাই পৰিয়াল, তেওঁৰ ভায়েক-ককায়েকসকল, আৰু বাপেকৰ
পৰিয়ালো তেওঁৰ লগত গ'ল; তেওঁলোকে কেৱল নিজৰ ল'ৰা-তিৰোতা
আৰু মেৰ, ছাগ, আৰু গৰু আদিৰ জাকবোৰহে গোচনত এৰি গ'ল।
৯ তেওঁৰ লগত ৰথ, আৰু অশ্বাৰোহীসকল গ'ল। এইদৰে সকলো
মিলি এটা অতি বৃহৎ দল হ'ল। ১০ পাছত তেওঁলোকে গৈ যৰ্দ্দনৰ
সিপাৰে থকা আটদৰ মৰণা মৰা ঠাই পালে, সেই ঠাইতে তেওঁলোকে
অতি দাৰুণ মহা-বিলাপেৰে বিলাপ কৰিলে। ১১ তাতে সেই দেশ
নিবাসী কনানীয়াসকলে আটদৰ মৰণা মৰা ঠাইত এইদৰে শোক কৰা
দেখি ক'লে, "মিচৰীয়াসকলৰ এয়ে অতি দাৰুণ শোক।" এই হেতুকে
যৰ্দ্দনৰ সিপাৰে থকা সেই ঠাই আবেল-নিশ্ৰিয়াম নামেৰে প্ৰখ্যাত
হ'ল। ১২ পাছত যাকোবে নিজৰ পুত্ৰসকলক আজ্ঞা দিয়াৰ দৰেই

তেওঁলোকে কৰিলে। ১৩ তেওঁৰ পুত্ৰসকলে তেওঁক কনান দেশলৈ লৈ
গ'ল আৰু মম্ৰিৰ সন্মুখত থকা মকপেলাৰ পথাৰৰ যি গুহা আছিল,
তাতে মৈদাম দিলে। অব্ৰাহামে পথাৰে সৈতে সেই গুহা মৈদাম দিবৰ
বাবে কিনিছিল। তেওঁ হিত্তীয়া ইফ্ৰোণৰ পৰা সেই ঠাই কিনি লৈছিল।
১৪ বাপেকক মৈদাম দিয়াৰ পাছত যোচেফ আৰু তেওঁৰ ভায়েক-
ককায়েকসকলৰ লগতে বাপেকক মৈদাম দিবলৈ তেওঁলোকৰ লগত
অহা সকলো লোক মিচৰদেশলৈ উভতি গ'ল। ১৫ পাছত যোচেফৰ
ককায়েকসকলে দেখিলে যে তেওঁলোকৰ পিতৃৰ মৃত্যু হ'ল, সেয়ে
তেওঁলোকে ক'লে, "যদি যোচেফে ঘৃণা কৰে, আৰু আমি তেওঁলৈ যি
যি অন্যায় কৰিছিলোঁ, তাৰ যদি প্ৰতিফল আমাক দিয়ে?" ১৬ সেয়ে
তেওঁলোকে যোচেফলৈ বাৰ্তা পঠালে, আৰু ক'লে, "তোমাৰ পিতৃয়ে
তেওঁৰ মৃত্যুৰ আগেয়ে এই আদেশ দিছিল, যে, ১৭ তোমালোকে
যোচেফক এইদৰে ক'বা, 'বিনয় কৰোঁ, তুমি তোমাৰ ককায়েৰাহঁতৰ
জগৰ, তেওঁলোকৰ পাপ ক্ষমা কৰা; কিয়নো তেওঁলোকে তোমাক
দুৰ্গতি কৰিছিল'। এতেকে, এতিয়া আমি বিনয় কৰোঁ, আপুনি নিজ
পিতৃৰ ঈশ্বৰৰ দাসসকলৰ দোষ ক্ষমা কৰক।" এইদৰে তেওঁলোকে
যোচেফলৈ কৈ পঠোৱাত, তেওঁ কান্দি পেলালে। ১৮ তাৰ পাছত
তেওঁৰ ককায়েকসকলে গৈ তেওঁৰ সন্মুখত পৰি ক'লে, "চাওক, আমি
আপোনাৰে বন্দী।" ১৯ তেতিয়া যোচেফে তেওঁলোকক ক'লে, "ভয়
নকৰিবা; কিয়নো, মই জানো ঈশ্বৰৰ প্ৰতিনিধি? ২০ তোমালোকে
মোৰ বিৰুদ্ধে অনিষ্টৰ কল্পনা কৰিছিলা হয়, কিন্তু এতিয়া যেনেকৈ
দেখিছা তেনেকৈ অনেক লোকৰ প্ৰাণ ৰক্ষা কৰা কাৰ্য সিদ্ধ কৰাৰ
অভিপ্ৰায়েৰে, ঈশ্বৰে ইয়াকে মঙ্গলৰ কল্পনা কৰিলে। ২১ এতিয়া
তোমালোকে ভয় নকৰিবা; মই তোমালোকক আৰু তোমালোকৰ
ল'ৰা-তিৰোতাসকলকো প্ৰতিপালন কৰিম।" এইদৰে তেওঁলোকক
তেওঁ শান্ত্বনা দিলে, আৰু মৰমৰ কথা ক'লে। ২২ পাছত যোচেফে
তেওঁৰ পিতৃ-বংশৰ সৈতে মিচৰ দেশতে নিবাস কৰি থাকিল। আৰু
যোচেফ এশ দহ বছৰ জীয়াই থাকিল। ২৩ এইদৰে যোচেফে ইফ্ৰয়িমৰ
পৰিনাতি দেখিবলৈ পালে। তেওঁ মনচিৰ পুতেক মাখীৰৰ সন্তান

সকলকো দেখা পালে। তেওঁ তেওঁলোকক কোলাত লবলৈ পালে। ২৪
পাছত যোচেফে তেওঁৰ ভায়েক-ককায়েকসকলক ক'লে, "মই এতিয়া
মৃত্যুৰ সময়ত উপস্থিত হৈছোঁ; কিন্তু ঈশ্বৰে তোমালোকলৈ অৱশ্যে দৃষ্টি
কৰিব আৰু অব্ৰাহাম, ইচহাক, আৰু যাকোবৰ আগত যি দেশ দিম বুলি
শপত কৰিছিল, সেই দেশলৈ তোমালোকক এই দেশৰ পৰা লৈ যাব।"
২৫ তাৰ পাছত যোচেফে ইস্ৰায়েলৰ সন্তান সকলক শপত কৰালে।
তেওঁ ক'লে, "ঈশ্বৰে অৱশ্যে তোমালোকলৈ দৃষ্টি কৰিব। সেই সময়ত
নিশ্চয়কৈ তোমালোকে ইয়াৰ পৰা মোৰ অস্থি লৈ যাবা।" ২৬ এইদৰে
যোচেফ এশ দহ বছৰ বয়সত মৰিল; পাছত তেওঁক সুগন্ধিদ্ৰব্য যুক্ত
কৰি, মিচৰত এটা পেড়াত ভৰাই ৰখা হ'ল।

# যাত্ৰাপুস্তক

১ যাকোবৰ লগত ইস্ৰায়েলৰ যিসকল পুত্ৰই নিজৰ পৰিয়ালৰ সৈতে
মিচৰ দেশলৈ আহিছিল, তেওঁলোকৰ নাম: ২ ৰূবেণ, চিমিয়োন, লেবী
আৰু যিহূদা; ৩ ইচাখৰ, জবূলূন, আৰু বিন্যামীন; ৪ দান আৰু নপ্তালী;
গাদ আৰু আচেৰ। ৫ যাকোবৰ বংশধৰ সৰ্ব্বমুঠ সত্তৰ জন আছিল।
ইতিমধ্যে যোচেফ মিচৰত আছিল। ৬ তাৰ পাছত যোচেফ, তেওঁৰ
ভায়েক-ককায়েক সকল আৰু সেই প্ৰজন্মৰ সকলোৰেই মৃত্যু হ'ল।
৭ ইস্ৰায়েলৰ সন্তান সকল বহু বংশ হৈ সংখ্যাত বৃদ্ধি পালে; আৰু
বাঢ়ি বাঢ়ি অতিশয় বলৱন্ত হ'ল। তেওঁলোকৰ দ্বাৰাই দেশ পৰিপূৰ্ণ
হ'ল। ৮ তাৰ পাছত মিচৰত যোচেফক সোঁৱৰণ কৰা কথাত গুৰুত্ব
নিদিয়া এজন নতুন ৰজাৰ উত্থান হ'ল। ৯ তেওঁৰ প্ৰজা সকলক তেওঁ
ক'লে, "সেই ইস্ৰায়েল জাতিক চোৱা; তেওঁলোক সংখ্যাত অধিক
আৰু আমাতকৈ বলৱন্ত। ১০ আহাঁ, আমি তেওঁলোকৰ লগত জ্ঞানেৰে
লেনদেন কৰোঁহক। নহলে তেওঁলোক অবিৰত ভাৱে বৃদ্ধি পাব, আৰু
কোনো যুদ্ধ হ'লে, তেওঁলোকে আমাৰ শত্ৰুবোৰৰ লগত যোগ হৈ
আমাৰ বিৰুদ্ধে যুদ্ধ কৰিব, আৰু দেশ ত্যাগ কৰি যাব।" ১১ সেয়ে
তেওঁলোকক কঠিন পৰিশ্ৰমৰ দ্বাৰাই অত্যাচাৰ কৰিবলৈ তেওঁলোকৰ
ওপৰত কঠোৰ তত্ত্বাবধায়ক নিযুক্ত কৰিলে। ইস্ৰায়েলী লোক সকলে
পিথোম আৰু ৰামিচেচ নামেৰে ফৰৌণৰ অৰ্থে ভঁৰাল ঘৰৰ নগৰ নিৰ্মাণ
কৰিলে। ১২ কিন্তু মিচৰীয়া সকলে যিমান বেছিকৈ ইস্ৰায়েলী সকলক
অত্যাচাৰ কৰিলে, সিমান বেছিকৈ তেওঁলোক সংখ্যাত বৃদ্ধি পালে
আৰু বিস্তাৰ লাভ কৰিবলৈ ধৰিলে। সেয়ে মিচৰীয়া সকলে ইস্ৰায়েলী
লোক সকলক ভয় কৰিবলৈ আৰম্ভ কৰিলে। ১৩ মিচৰীয়া সকলে
ইস্ৰায়েলী লোক সকলক অব্যাহতি নিদিয়াকৈ কাম কৰাইছিল। ১৪ চূণ,
বালি আৰু পানী মিহলাই তৈয়াৰ কৰোঁৱা বোকাৰে ইটা প্ৰস্তুত কৰা,
আৰু পথাৰৰ সকলো বিধৰ কামৰ দ্বাৰাই তেওঁলোকৰ জীৱন তিক্ত
কৰিছিল। তেওঁলোকে কৰিব লগা সকলো কামেই কঠিন আছিল। ১৫
তাৰ পাছত মিচৰৰ ৰজাই চিফ্ৰা আৰু পুৱা নামৰ দুজনী ইব্ৰীয়া ধাত্ৰীৰ
লগত কথা পাতিলে। ১৬ ৰজাই ক'লে, "যি সময়ত তোমালোকে ইব্ৰীয়া

মহিলা সকলক প্ৰসৱ আসনত সন্তান প্ৰসৱ কৰাত সহায় কৰিবা, সেই
সময়ত তেওঁলোকে জন্ম দিয়া সন্তান লক্ষ্য কৰিবা; যদি সেই সন্তান
ল'ৰা হয় তেনেহ'লে তাক অৱশ্যে বধ কৰিবা, আৰু যদি ছোৱালী হয়,
তেনেহ'লে তাইক জীয়াই থাকিবলৈ দিবা।" ১৭ কিন্তু ধাত্ৰী দুজনীয়ে
ঈশ্বৰলৈ ভয় কৰিছিল, সেয়ে মিচৰৰ ৰজাই তেওঁলোকক দিয়া আজ্ঞা
পালন নকৰি, তাৰ পৰিৱৰ্তে ল'ৰা শিশু বিলাকক জীয়াই ৰাখিলে। ১৮
মিচৰৰ ৰজাই ধাত্ৰী দুজনীক মাতি অনালে আৰু তেওঁলোকক ক'লে,
"তোমালোকে কিয় ল'ৰা শিশু বিলাকক জীয়াই ৰাখিলা?" ১৯ তেতিয়া
ধাত্ৰী দুজনীয়ে ফৰৌণক ক'লে, "ইব্ৰীয়া মহিলা সকল মিচৰীয়া মহিলা
সকলৰ দৰে নহয়; তেওঁলোক সবল, আৰু তেওঁলোকৰ ওচৰলৈ ধাত্ৰী
অহাৰ আগতে, তেওঁলোকে নিজে সন্তান প্ৰসৱ কৰে।" ২০ ঈশ্বৰে সেই
ধাত্ৰী দুজনীক ৰক্ষা কৰিলে। লোক সকল সংখ্যাত বৃদ্ধি পালে আৰু
অধিক বলৱন্ত হ'ল। ২১ ধাত্ৰী দুজনীয়ে ঈশ্বৰলৈ ভয় কৰিছিল, সেয়ে
ঈশ্বৰে তেওঁলোকৰ বাবে পৰিয়াল গঠন কৰিলে। ২২ পাছত ফৰৌণে
নিজৰ সকলো প্ৰজাকে এই আজ্ঞা দিলে যে, "তোমালোকে নতুন কৈ
জন্ম হোৱা প্ৰত্যেক ল'ৰা শিশুক নীল নদীত পেলাই দিব লাগিব, কিন্তু
প্ৰতিজনী ছোৱালীক হ'লে জীয়াই ৰাখিব পাৰিবা।"

২ লেবী বংশৰ এজন মানুহে এজনী লেবীয়া ছোৱালী বিয়া কৰালে।
২ পাছত সেই মহিলা গৰাকী গৰ্ভৱতী হ'ল, আৰু এটি পুত্ৰ সন্তান প্ৰসৱ
কৰিলে। তেওঁ যেতিয়া দেখিলে যে, সন্তানটো স্বাস্থ্যবান; তেতিয়া তেওঁ
সন্তানটি তিনি মাহলৈ লুকুৱাই ৰাখিলে। ৩ কিন্তু তেওঁ যেতিয়া দেখিলে
যে, ল'ৰাটোক বেছি দিন লুকুৱাই ৰাখিব নোৱাৰিব; তেতিয়া তেওঁ
নলেৰে এটা পাচি সাজিলে, আৰু সেই পাচিটো শিলাজতু আৰু এঠাৰে
লেপি ল'লে, পাছত সেই পাচিটোত ল'ৰাজনক সুমুৱাই ল'লে, আৰু
নদীৰ দাঁতিত থকা নল-খাগড়িৰ মাজত গৈ থলে। ৪ তাতে দূৰৈত
থিয় হৈ বায়েকে সেই শিশুটোৰ কি হ'ব, সেই বিষয়ে জানিবলৈ বাট
চাই থাকিল। ৫ ফৰৌণৰ জীয়েকে নদীত গা ধুবলৈ নামি গৈছিল,
আৰু তেওঁৰ যুৱতী দাসী সকলে নদীৰ তীৰত ফুৰি আছিল। এনেতে
তেওঁ নল খাগড়ি মাজত সেই পাচিটো দেখি, তেওঁৰ দাসী এজনীক

পাচিটো আনিবলৈ পঠিয়ালে। ৬ তেওঁ পাচিটো মেলি শিশুটি দেখিলে। এনেতে শিশুটিয়ে কান্দিবলৈ ধৰিলে; আৰু তেওঁৰ শিশুটিলৈ মৰম লাগি ক'লে, "এই সন্তানটি নিশ্চয় এটি ইব্ৰীয়া সন্তান।" ৭ তেতিয়া শিশুটিৰ বায়েকে ফৰৌণৰ জীয়েকক ক'লে, "আপোনাৰ অৰ্থে এই সন্তানটিক পিয়াহ খোৱাই তুলিবলৈ, মই এজনী ইব্ৰীয়া মহিলা বিচাৰি মাতি আনিম নে?" ৮ ফৰৌণৰ জীয়েকে ক'লে, "যোৱা।" তেতিয়া সেই ছোৱালী জনীয়ে শিশুটিৰ মাকক মাতি নিলে। ৯ ফৰৌণৰ জীয়েকে শিশুটিৰ মাতৃক ক'লে, "আপুনি এই ল'ৰাটি লওক আৰু মোৰ বাবে পিয়াহ খুৱাই প্ৰতিপালন কৰক; তাৰ বাবে মই আপোনাক পাৰিশ্ৰমিক দিম।" তেতিয়া মহিলা গৰাকীয়ে ল'ৰাটি নিলে আৰু পিয়াহ খোৱাই প্ৰতিপালন কৰিলে। ১০ ল'ৰাটি যেতিয়া ডাঙৰ হ'ল, তেওঁ ল'ৰাটিক ফৰৌণৰ জীয়েকৰ ওচৰলৈ আনিলে; তেতিয়া সেই লৰাটি তেওঁৰ পুত্ৰ হ'ল। তেওঁ লৰাটিৰ নাম মোচি ৰাখি ক'লে, "কিয়নো মই ইয়াক পানীৰ পৰা তুলি আনিলোঁ।" ১১ মোচি যেতিয়া ডেকা হ'ল, তেওঁ বাহিৰলৈ ওলাই গৈ নিজৰ লোকসকলৰ কঠোৰ পৰিশ্ৰম লক্ষ্য কৰিলে। তেওঁ দেখিলে যে, নিজৰ লোকসকলৰ মাজৰ এজন ইব্ৰীয়াক এজন মিচৰীয়াই মাৰি আছে। ১২ তেতিয়া মোচিয়ে ইফালে সিফালে চাই কাকো দেখা নাপায়, সেই মিচৰীয়াজনক বধ কৰি বালিত পুতি থলে। ১৩ তাৰ পাছদিনা তেওঁ ওলাই গৈ, দুজন ইব্ৰীয়াক বিবাদ কৰি থকা দেখি, দোষী জনক তেওঁ ক'লে, "তোমাৰ ভাইক কিয় মাৰিছা?" ১৪ কিন্তু মানুহ জনে ক'লে, "আমাৰ ওপৰত আপোনাক কোনে অধিপতি আৰু বিচাৰক পাতিছে? সেই মিচৰীয়াজনক যেনেদৰে বধ কৰিলে, তেনেদৰে মোকো বধ কৰিবলৈ পৰিকল্পনা কৰিছে নেকি?" তেতিয়া মোচিয়ে আতঙ্কিত হৈ ক'লে, "বাস্তৱিকতে মই যি কৰিলোঁ, সেই কথা নিশ্চয় আনেও গ'ম পালে।" ১৫ ফৰৌণে যেতিয়া সেই কথা শুনিলে, তেতিয়া তেওঁ মোচিক বধ কৰিবলৈ চেষ্টা কৰিলে। কিন্তু তেওঁ ৰজা ফৰৌণৰ ওচৰৰ পৰা পলাই গ'ল, আৰু মিদিয়ন দেশত বাস কৰিলে। তাত তেওঁ এটা নাদৰ ওচৰত বহিল। ১৬ মিদিয়নৰ পুৰোহিতৰ সাত গৰাকী জীয়েক আছিল। তেওঁলোকে সেই নাদলৈ আহিছিল, আৰু

পিতৃৰ মেৰ-ছাগৰ জাকক পানী খুৱাবৰ বাবে নাদৰ পৰা পানী তুলি
পাত্ৰত ভৰাই আছিল। ১৭ তেতিয়া মেৰ-ছাগ ৰখীয়া সকল তালৈ
আহিল আৰু তেওঁলোকক খেদিবলৈ চেষ্টা কৰিলে; কিন্তু মোচিয়ে
গৈ তেওঁলোকক সহায় কৰিলে। তাৰ পাছত মোচিয়ে তেওঁলোকৰ
মেৰ-ছাগৰ জাকক পানী খুৱালে। ১৮ ছোৱালী কেইজনী যেতিয়া
তেওঁলোকৰ পিতৃ ৰূৱেলৰ ওচৰলৈ গ'ল, তেতিয়া তেওঁ ছোৱালী
কেইজনীক সুধিলে, "আজিনো কেনেকৈ ইমান সোনকালে ঘৰলৈ
আহিলা?" ১৯ তেওঁলোকে ক'লে, "এজন মিচৰীয়া মানুহে আমাক
মেৰ-ছাগ ৰখীয়া সকলৰ পৰা ৰক্ষা কৰিলে। এনেকি তেওঁ আমাৰ
বাবে পানী তুলি মেৰ-ছাগ জাকক খুৱালে।" ২০ তেতিয়া তেওঁৰ
ছোৱালী কেইগৰাকীক তেওঁ সুধিলে, "তেওঁ ক'ত আছে? তোমালোকে
সেই ব্যক্তি জনক কিয় এৰি আহিলা? তেওঁক মাতি আনা যাতে
তেওঁ আমাৰ লগত ভোজন কৰিব পাৰে।" ২১ মোচিয়ে সেই মানুহ
জনৰ লগত থাকিবলৈ মান্তি হ'ল, আৰু তেওঁৰ ছোৱালী চিপ্পোৰাক
তেওঁৰ সৈতে বিয়া দিলে। ২২ চিপ্পোৰাই এটি পুত্ৰ প্ৰসৱ কৰিলে, আৰু
মোচিয়ে পুত্ৰটিৰ নাম গেৰ্চোম ৰাখিলে। মোচিয়ে ক'লে, "মই বিদেশত
প্ৰবাসী হৈ আছোঁ।" ২৩ বহুত দিনৰ পাছত, মিচৰৰ ৰজাৰ মৃত্যু হ'ল।
ইস্রায়েলী লোকসকলে বন্দীকামৰ বাবে আৰ্তনাদ কৰিলে। তেওঁলোকে
সহায়ৰ বাবে কাতৰোক্তি কৰিলে আৰু তেওঁলোকৰ দাসত্ব জীৱনৰ
কাৰণে তেওঁলোকৰ অনুৰোধ ঈশ্বৰে শুনিলে। ২৪ তেতিয়া ঈশ্বৰে
তেওঁলোকৰ ক্ৰন্দন শুনি, অব্ৰাহাম, ইচহাক, আৰু যাকোবৰ লগত
কৰা তেওঁৰ নিয়মটি পুনৰ সোঁৱৰণ কৰিলে। ২৫ ঈশ্বৰে ইস্রায়েলী
লোকসকললৈ দৃষ্টি কৰিলে, আৰু তেওঁলোকৰ পৰিস্থিতি বুজি পালে।

৩ মোচিৰ শহুৰ যিথ্ৰো মিদিয়নৰ পুৰোহিত আছিল, মোচিয়ে তেওঁৰ
মেৰ-ছাগৰ জাক চৰাইছিল। তেতিয়া মোচিয়ে মৰুপ্ৰান্তৰ কাষদি মেৰ-
ছাগৰ জাক লৈ গৈ আছিল, আৰু তেওঁ গৈ হোৰেব নামৰ ঈশ্বৰৰ পৰ্বত
পাইছিল। ২ সেই ঠাইত যিহোৱাৰ দূতে এজোপা জোপোহা গছৰ
মাজত অগ্নি শিখাত তেওঁক দেখা দিলে। মোচিয়ে চাই দেখিলে যে,
জোপোহাটোত জুই জ্বলি আছে, কিন্তু জোপোহাটো পুৰি যোৱা নাই।

৩ তেতিয়া মোচিয়ে ক'লে, "মই এফলীয়া হৈ যাওঁ, আৰু এই আচৰিত
বিষয়টো মই চাওঁ, কিয়নো এই জোপোহাটো পুৰি যোৱা নাই?" ৪
যেতিয়া যিহোৱাই দেখিলে যে, তেওঁক চাবলৈ মোচি এফলীয়া হৈ
গৈছে, তেতিয়া জোপোহাটোৰ মাজৰ পৰা ঈশ্বৰে তেওঁক মাতি ক'লে,
"হে মোচি, হে মোচি।" তেওঁ ক'লে, "চাওঁক, মই ইয়াতে আছোঁ।" ৫
যিহোৱাই ক'লে, "তুমি ওচৰ চাপি নাহিবা; তোমাৰ ভৰিৰ পৰা জোতা
সোলোকোৱা, কিয়নো তুমি যি ঠাইত থিয় হৈ আছা, সেয়া পবিত্ৰ ভূমি।"
৬ তেওঁ পুনৰ ক'লে, "মই তোমাৰ পূৰ্বপুৰুসকলৰ ঈশ্বৰ; অব্ৰাহামৰ
ঈশ্বৰ, ইচহাকৰ ঈশ্বৰ, আৰু যাকোবৰ ঈশ্বৰ।" তেতিয়া মোচিয়ে নিজৰ
মুখ ঢাকিলে, কিয়নো তেওঁ ঈশ্বৰক চাবলৈ ভয় কৰিলে। ৭ যিহোৱাই
ক'লে, "মই মিচৰত থকা মোৰ লোকসকলৰ যন্ত্ৰণালৈ নিশ্চয়ে দৃষ্টি
কৰিছোঁ। কাৰণ তেওঁলোক অতি কঠোৰ তত্বাৱধায়কৰ তলত আছে,
মই তেওঁলোকৰ ক্ৰন্দন শুনিছোঁ, মই তেওঁলোকৰ যন্ত্ৰণাৰ বিষয় বুজি
পাইছোঁ। ৮ মই তেওঁলোকক মিচৰীয়া লোকৰ হাতৰ পৰা উদ্ধাৰ
কৰিবলৈ নামি আহিলোঁ। সেই দেশৰ পৰা উলিয়াই আনি, গাখীৰ মৌ-
জোলবৈ থকা এখন উত্তম আৰু বহল দেশ, য'ত কনানীয়া, হিত্তীয়া,
ইমোৰীয়া, পৰিজ্জীয়া, হিব্বীয়া, যিবুচীয়া লোক সকলে বাস কৰে,
এনে ঠাইলৈ তেওঁলোকক নিবলৈ আহিলোঁ। ৯ এতিয়া ইস্ৰায়েলৰ
লোকসকলৰ কাতৰোক্তি মোৰ ওচৰলৈ আহিল। অৱশ্যে মিচৰীয়া
সকলে তেওঁলোকৰ ওপৰত কৰা উপদ্ৰবো মই দেখিছোঁ। ১০ সেয়ে
মোৰ ইস্ৰায়েলী লোকসকলক মিচৰৰ পৰা উলিয়াই আনিবলৈ, মই
এতিয়া তোমাক ফৰৌণৰ ওচৰলৈ পঠাওঁ।" ১১ কিন্তু মোচিয়ে ঈশ্বৰক
ক'লে, "মইনো কোন যে, ফৰৌণৰ ওচৰলৈ গৈ ইস্ৰায়েলী লোকসকলক
মিচৰৰ পৰা উলিয়াই আনিম?" ১২ ঈশ্বৰে উত্তৰ দি ক'লে, "অৱশ্যে
মই তোমাৰ সঙ্গী হ'ম; আৰু মইয়ে তোমাক পঠালোঁ, ইয়াৰ চিন
তোমালৈ এয়ে হ'ব যে, তুমি মিচৰৰ পৰা লোকসকলক উলিয়াই
আনি, এই পৰ্ব্বততে তোমালোকে ঈশ্বৰৰ আৰধনা কৰিবা।" ১৩
মোচিয়ে ঈশ্বৰক ক'লে, "মই যেতিয়া ইস্ৰায়েলী লোকসকলক ক'ম
যে, তোমালোকৰ ওপৰ-পিতৃসকলৰ ঈশ্বৰে মোক তোমালোকৰ

ওচৰলৈ পঠালে; তেতিয়া তেওঁলোকে মোক ক'ব, 'তেওঁৰ নাম কি?'
তেতিয়া মই কি উত্তৰ দিম?" ১৪ ঈশ্বৰে মোচিক ক'লে, "মই যি
জন হওঁ, সেই জনেই হওঁ।" ঈশ্বৰে পুনৰ ক'লে, "তুমি ইস্ৰায়েলী
লোকসকলক নিশ্চয়কৈ ক'বা যে, 'মই যি জন হওঁ' তেৱেঁই মোক
তোমালোকৰ ওচৰলৈ পঠালে।" ১৫ ঈশ্বৰে মোচিক পুনৰ ক'লে,
"তুমি ইস্ৰায়েলী লোকসকলক অৱশ্যে ক'বা যে, 'তোমালোকৰ ওপৰ-পিতৃসকলৰ ঈশ্বৰ, অব্ৰাহামৰ ঈশ্বৰ, ইচহাকৰ ঈশ্বৰ, আৰু যাকোবৰ ঈশ্বৰ যিহোৱায়ে মোক তোমালোকৰ ওচৰলৈ পঠালে। এয়ে মোৰ চিৰস্থায়ী নাম, আৰু ইয়াৰ দ্বাৰাই পুৰুষানুক্ৰমে মই সোঁৱৰণীয় হম।' ১৬
তুমি যোৱা, আৰু ইস্ৰায়েলৰ বৃদ্ধ লোকসকলক একত্ৰিত কৰি সমবেত কৰোঁৱা। তেওঁলোকক ক'বা যে, 'তোমালোকৰ ওপৰ-পিতৃ অব্ৰাহাম, ইচহাক, আৰু যাকোবৰ ঈশ্বৰ যিহোৱাই মোক দৰ্শন দি ক'লে যে, 'মই তোমালোকক নিৰীক্ষণ কৰিলোঁ আৰু তোমালোকক মিচৰত কেনে
ব্যৱহাৰ কৰিছে, সেয়া মই দেখিলোঁ। ১৭ মিচৰ দেশত তোমালোকৰ
ওপৰত কৰা উপদ্ৰৱৰ পৰা তোমালোকক উলিয়াই আনি, গাখীৰ, মৌ-জোল বৈ থকা সেই কনানীয়া, হিত্তীয়া, ইমোৰীয়া, পৰিজ্জীয়া, হিব্বীয়া, আৰু যিবুচীয়া সকলৰ দেশলৈ মই তোমালোকক লৈ যাবলৈ
প্ৰতিজ্ঞা কৰিছোঁ'। ১৮ তেতিয়া তেওঁলোকে তোমাৰ কথা শুনিব। তাৰ
পাছত তুমি আৰু ইস্ৰায়েলৰ বৃদ্ধ লোকসকলে মিচৰৰ ৰজাৰ ওচৰলৈ গৈ, তেওঁক নিশ্চয়কৈ ক'বা যে, 'ইব্ৰীয়াসকলৰ ঈশ্বৰ যিহোৱা আমাৰ আগত সাক্ষাৎ হ'ল। সেয়ে আমি তিনি দিন মৰুভূমিৰ মাজেৰে গৈ ঈশ্বৰ যিহোৱাৰ উদ্দেশে বলিদান কৰিবৰ অৰ্থে আমাক যাবলৈ দিয়ক।'
১৯ কিন্তু মই জানো, যেতিয়ালৈকে মিচৰৰ ৰজাক বাধ্য কৰোঁৱা
নহয়, তেতিয়ালৈকে তেওঁ তোমালোকক যাব নিদিব। ২০ মই নিজ
হাত মেলিম, আৰু মিচৰ দেশৰ মাজত সকলো আচৰিত কৰ্মেৰে মই তেওঁলোকক আঘাত কৰিম। তাৰ পাছতহে তেওঁ তোমালোকক যাবলৈ
দিব। ২১ মই মিচৰীয়াসকলৰ পৰা তোমালোকক অনুগ্ৰহপ্ৰাপ্ত কৰিম।
সেয়ে তোমালোকে যোৱা সময়ত শুদা-হাতে যাব লগা নহ'ব। ২২ প্ৰতি
গৰাকী মহিলাই নিজৰ ওচৰ-চুবুৰীয়া, আৰু নিজৰ ঘৰৰ ওচৰত বাস

কৰা মহিলা সকলৰ পৰা ৰূপ আৰু সোণৰ অলঙ্কাৰ আৰু বস্ত্র খুজিবা;
আৰু তোমালোকে সেইবোৰ নিজৰ লৰা-ছোৱালীক পিন্ধাবা; এই দৰে
তোমালোকে মিচৰীয়া সকলক লুট কৰিবা।”
**4** মোচিয়ে উত্তৰ দি ক’লে, “কিন্তু তেওঁলোকে যদি মোক বিশ্বাস
নকৰে, আৰু মোৰ কথাও নুশুনে; আৰু তাৰ পৰিৱৰ্ত্তে তেওঁলোকে
মোক ক’ব, ‘যিহোৱাই তোমাক দৰ্শন দিয়া নাই’ তেতিয়া কি হ’ব?”
২ যিহোৱাই তেওঁক ক’লে, “তোমাৰ হাতত কি আছে?” মোচিয়ে
ক’লে, “লাখুটি।” ৩ তেতিয়া যিহোৱাই ক’লে, “লাখুটি ডাল মাটিত
পেলাই দিয়া।” তেতিয়া মোচিয়ে লাখুটিডাল মাটিত পেলাই দিলে, আৰু
তেতিয়াই সেই লাখুটি ডাল সাপ হৈ পৰিল। মোচিয়ে তাৰ পৰা পাছ
হুঁহকি গ’ল। ৪ তাৰ পাছত যিহোৱাই মোচিক ক’লে, “তুমি তোমাৰ
হাত মেলি তাৰ নেগুৰত ধৰা।” মোচিয়ে নিজৰ হাত মেলি তাক ধৰিলে,
আৰু তেওঁৰ হাতত সেই সাপ ডাল পুনৰ লাখুটি হ’ল। ৫ “ইয়াৰ
বাবেই তেওঁলোকৰ ওপৰ-পিতৃ অব্রাহাম, ইচহাক আৰু যাকোবৰ ঈশ্বৰ
যিহোৱাই যে তোমাক দৰ্শন দিলে, সেই কথা তেওঁলোকে বিশ্বাস
কৰিব।” ৬ যিহোৱাই তেওঁক পুনৰ ক’লে, “তুমি তোমাৰ হাত চোলাত
ভৰোৱা।” সেয়ে মোচিয়ে হাতখন নিজৰ চোলাত ভৰালে। পাছত তেওঁ
যেতিয়া হাতখন বাহিৰলৈ উলিয়াই আনিলে, তেতিয়া তেওঁ দেখিলে
যে, তেওঁৰ হাত কুষ্ঠ ৰোগেৰে হিমৰ নিচিনা বগা হৈছে। ৭ যিহোৱাই
ক’লে, “তোমাৰ হাত পুনৰ চোলাত ভৰোৱা।” তেতিয়া মোচিয়ে নিজৰ
হাত পুনৰ চোলাত ভৰালে; আৰু যেতিয়া বাহিৰলৈ উলিয়ালে তেওঁ
দেখিলে যে, তেওঁৰ শৰীৰৰ অৱশিষ্ট অংশৰ দৰেই হাতখন পুনৰ
সুস্থ হ’ল। ৮ যিহোৱাই ক’লে, “তেওঁলোকে যদি তোমাক বিশ্বাস
নকৰে, আৰু মোৰ শক্তিৰ সেই প্ৰথম চিনকো যদি বিশ্বাস নকৰে,
তেনেহ’লে তেওঁলোকে দ্বিতীয় চিনত বিশ্বাস কৰিব। ৯ তেওঁলোকে
যদি এই দুয়োটা চিনকো বিশ্বাস নকৰে, আৰু তোমাৰ কথাও নুশুনে,
তেনেহ’লে তুমি নদীৰ পৰা অলপ পানী লৈ শুকান মাটিত ঢালিবা।
তেতিয়া তুমি নদীৰ পৰা লোৱা সেই পানী শুকান মাটিত ঢালি দিওঁতে,
সেই পানী তেজলৈ পৰিণত হ’ব।” ১০ তেতিয়া মোচিয়ে যিহোৱাক

ক'লে, "হে মোৰ প্ৰভু মিনতি কৰিছোঁ, মই বাকপটু নহওঁ; ইয়াৰ পূৰ্বেও
নাছিলোঁ, বা আপুনি নিজ দাসক কথা কোৱাৰ পাছতো নহওঁ। কাৰণ
মোৰ মুখ আৰু জীবা গধূৰ।" ১১ যিহোৱাই মোচিক ক'লে, "মানুহৰ
মুখ কোনে নিৰ্মাণ কৰিলে? বোবা বা কলা, নাইবা চকু থকা বা অন্ধ
কোনে কৰিলে? মই যিহোৱায়ে জানো তাক নকৰোঁ? ১২ তেনেহ'লে
এতিয়া তুমি যোৱা; মই তোমাৰ মুখত থাকিম, আৰু তুমি কবলগীয়া
কথা মই তোমাক শিকাম।" ১৩ কিন্তু মোচিয়ে ক'লে, "হে মোৰ প্ৰভু
অনুগ্ৰহ কৰি, আপুনি যি জনক ইচ্ছা কৰে, তেনে আন কোনো এজনক
পঠিয়াওক।" ১৪ তেতিয়া মোচিলৈ যিহোৱাৰ ক্ৰোধ প্ৰজ্বলিত হ'ল।
তেওঁ ক'লে, "তোমাৰ লেবীয়া ককায়েৰ হাৰোণ ক'ত আছে? মই
জানো, তেওঁ ভালকৈ কথা ক'ব পাৰে। অৱশ্যে তেওঁ তোমাক ল'গ
পাবলৈ আহি আছে; আৰু তেওঁ আহি তোমাক যেতিয়া দেখিব, তেতিয়া
তেওঁ আনন্দিত হ'ব। ১৫ তুমি তেওঁক ক'বা, আৰু তেওঁৰ মুখে কি ক'ব
লাগে সেই বাক্য দিবা। মই তোমাৰ আৰু তেওঁৰ মুখৰো সহায় হ'ম,
আৰু কি কৰিব লাগে, সেই বিষয়ে তোমালোকক জনাম। ১৬ তেওঁ
লোক সকলৰ আগত তোমাৰ হৈ কথা ক'ব। তেওঁ তোমাৰ মুখস্বৰূপ
হ'ব, আৰু তুমি তেওঁৰ ঈশ্বৰ স্বৰূপ হ'বা। ১৭ এই লাখুটিডাল তুমি নিজ
হাতত লোৱা। এই লাখুটি ডালেৰেই তুমি চিনবোৰ দেখুৱাবা।" ১৮
তাৰ পাছত মোচিয়ে তেওঁৰ শহুৰেক যিথ্ৰোৰ ওচৰলৈ উভটি গ'ল,
আৰু তেওঁক ক'লে, "মই বিনয় কৰোঁ, মিচৰত থকা মোৰ সম্পৰ্কীয়
লোকসকল এতিয়ালৈকে জীয়াই আছে নে নাই, তাক চাবৰ বাবে
তেওঁলোকৰ ওচৰলৈ উভটি যাবলৈ মোক দিয়ক।" যিথ্ৰোৱে মোচিক
ক'লে, "শান্তিৰে যোৱা।" ১৯ যিহোৱাই মিদিয়নত মোচিক ক'লে, "তুমি
মিচৰলৈ উভটি যোৱা; কিয়নো যি সকল লোকে তোমাৰ প্ৰাণ ল'ব
বিচাৰিছিল, সেই লোক সকলৰ মৃত্যু হ'ল।" ২০ তেতিয়া মোচিয়ে
নিজৰ ভাৰ্যা আৰু পুত্ৰক এটা গাধত উঠাই ল'লে আৰু মিচৰ দেশলৈ
যাত্ৰা কৰিলে। মোচিয়ে ঈশ্বৰৰ সেই লাখুটি ডালো নিজৰ হাতত ল'লে।
২১ যিহোৱাই মোচিক কৈছিল, "তুমি যেতিয়া মিচৰলৈ উভটি যাবা,
তেতিয়া মই তোমাৰ হাতত যিবোৰ আচৰিত কাৰ্যৰ শক্তি দিলোঁ, সেই

সকলো ফৰৌণৰ সাক্ষাতে কৰিবা। কিন্তু মই তেওঁৰ মন কঠিন কৰিম,
আৰু সেয়ে তেওঁ তেতিয়া লোকসকলক এৰি নিদিব। ২২ তুমি ফৰৌণক
নিশ্চয়কৈ ক'বা, 'যিহোৱাই এইদৰে কৈছে: ইস্রায়েল মোৰ পুত্ৰ, মোৰ
জ্যেষ্ঠ পুত্ৰ'; ২৩ মই তোমাক কৈছিলোঁ, 'মোৰ আৰধনা কৰিবৰ অৰ্থে
মোৰ পুত্ৰক এৰি দিয়া'। কিন্তু তথাপিও তেওঁলোকক এৰি দিবলৈ তুমি
অসন্মত হ'লা; সেয়ে মই তোমাৰ পুত্ৰ, তোমাৰ জ্যেষ্ঠ পুত্ৰক নিশ্চয় বধ
কৰিম'।" ২৪ তাৰ পাছত যাত্ৰা কৰি গৈ থাকোতে, ৰাতি হোৱাৰ বাবে
তেওঁলোক এঠাইত থাকিল; তাতে যিহোৱাই মোচিক লগ পালে, আৰু
বধ কৰিব খুজিলে। ২৫ তেতিয়া চিপ্পোৰাই এটুকুৰা চিকমিকিয়া চোকা
পাথৰ ল'লে; আৰু নিজৰ পুত্ৰৰ লিঙ্গাগ্ৰ-চৰ্ম্ম ছেদন কৰি, মোচিৰ ভৰিত
পেলাই দি ক'লে, "নিশ্চয়ে আপুনি মোৰ পক্ষে তেজৰ দ্বাৰাই পোৱা
দৰা।" ২৬ সেয়ে যিহোৱাই তেওঁক এৰি দিলে। চিপ্পোৰাই ক'লে,
"চুন্নতৰ কাৰণে আপুনি তেজৰ দ্বাৰাই পোৱা দৰা।" ২৭ যিহোৱাই
হাৰোণক কৈছিল, "তুমি মোচিৰে সৈতে সাক্ষাৎ কৰিবলৈ মৰুভূমিলৈ
যোৱা।" তেতিয়া হাৰোণ গ'ল, আৰু ঈশ্বৰৰ পৰ্বতত মোচিক লগ ধৰি,
তেওঁক চুমা খালে। ২৮ তেতিয়া মোচিয়ে যিহোৱাই কোৱা সকলো
কথা আৰু চিন দেখুৱাবৰ বাবে শক্তিৰে কাৰ্য কৰিবলৈ যিহোৱাই দিয়া
আজ্ঞাৰ কথা হাৰোণক ক'লে। ২৯ তাৰ পাছত মোচি আৰু হাৰোণ
দুয়ো গৈ ইস্রায়েলী লোকসকলৰ বৃদ্ধ লোকসকলক একগোট কৰিলে।
৩০ যিহোৱাই মোচিক কোৱা সকলো কথা হাৰোণে তেওঁলোকক
ক'লে। তেওঁ লোকসকলৰ আগত যিহোৱাৰ শক্তিৰ দ্বাৰাই চিনবোৰো
দেখুৱালে। ৩১ তেতিয়া লোকসকলে বিশ্বাস কৰিলে। যিহোৱাই যে
ইস্রায়েলী লোক সকললৈ দৃষ্টি কৰিলে; আৰু তেওঁলোকৰ যাতনাবোৰ
চালে, সেই কথা শুনি তেওঁলোকে মূৰ দোঁৱাই প্ৰণিপাত কৰি ঈশ্বৰৰ
আৰাধনা কৰিলে।

**৫** এই ঘটনাৰ পাছত মোচি আৰু হাৰোণে গৈ ফৰৌণক ক'লে,
"ইস্রায়েলৰ ঈশ্বৰ যিহোৱাই এইদৰে কৈছে, 'মৰুভূমিত মোৰ উদ্দেশ্যে
উৎসৱ পালন কৰিবলৈ, মোৰ লোকসকলক যাবলৈ দিয়া'।" ২ ফৰৌণে
ক'লে, "যিহোৱা কোন? কিয় মই তেওঁৰ কথা শুনিম; আৰু ইস্রায়েলী

লোক সকলক যাবলৈ কিয় এৰি দিম? মই যিহোৱাক নাজানো, গতিকে
ইস্ৰায়েলী লোক সকলক যাবলৈ এৰি নিদিওঁ।” ৩ তাৰ পাছত মোচি
আৰু হাৰোণে ক’লে, “ইব্ৰীয়াসকলৰ ঈশ্বৰে আমাৰ লগত সাক্ষাত
কৰিলে। আহক আমি আমাৰ ঈশ্বৰ যিহোৱাৰ উদ্দেশ্যে বলিদান
কৰিবৰ অৰ্থে মৰুভূমিৰ মাজেৰে তিনি দিনৰ বাট যাওঁহক; যাতে
তেওঁ আমাক মহামাৰী বা তৰোৱালেৰে আক্ৰমণ নকৰে।” ৪ কিন্তু
মিচৰৰ ৰজাই তেওঁলোকক ক’লে, “মোচি আৰু হাৰোণ, তোমালোকে
কিয় লোক সকলক তেওঁলোকৰ কামৰ পৰা লৈ গৈছা?” এই বুলি
লোকসকলক তেওঁ ক’লে, “তোমালোক কামলৈ ঘূৰি যোৱা।” ৫
ফৰৌণে পুনৰ ক’লে, “বৰ্তমান আমাৰ দেশত অনেক ইস্ৰায়েলী লোক
আছে, আৰু তোমালোকে তেওঁলোকৰ কাম বন্ধ কৰাইছা।” ৬ সেই
দিনাই ফৰৌণে লোক সকলৰ কঠোৰ তত্বাৱধায়ক আৰু মুখিয়াল
সকলক এই আজ্ঞা দি ক’লে, ৭ “আগেয়ে দিয়াৰ দৰে তেওঁলোকক
ইটা বনাবলৈ তোমালোকে নৰা আনি নিদিবা। তেওঁলোকে নিজেই
গৈ নৰা বিচাৰি লওক। ৮ তেওঁলোকে আগেয়ে যিমান পৰিমাণৰ
ইটা বনাইছিল, এতিয়াও তেওঁলোকক সিমানেই বনাবলৈ দিয়া। তাৰ
অলপো কম গ্ৰহণ নকৰিব; কাৰণ তেওঁলোক এলেহুৱা। তেওঁলোকে
চিঞৰিছে আৰু ক’বলৈ ধৰিছে, ‘আমাক যাবলৈ অনুমতি দিয়ক
আৰু আমাৰ ঈশ্বৰৰ উদ্দেশ্যে বলিদান উৎসৰ্গ কৰিবলৈ দিয়ক’।”
৯ তেওঁলোকৰ ওপৰত কামৰ ভাৰ অধিক গধূৰ কৰি দিয়া হওক;
যাতে তেওঁলোকে কামৰ মাজত ব্যস্ত থাকি বিভ্ৰান্তিজনক কথাত
মন নিদিয়ে। ১০ তাৰ পাছত, কঠোৰ তত্বাৱধায়ক আৰু মুখিয়াল
সকলে বাহিৰলৈ ওলাই আহিল আৰু লোকসকলক তেওঁলোকে ক’লে,
“ফৰৌণে এইদৰে কৈছে, ‘মই তোমালোকক এতিয়াৰ পৰা কোনো
নৰা নিদিওঁ। ১১ তোমালোক নিজে যোৱা আৰু য’ত বিচাৰি পোৱা,
তাৰ পৰা নৰা বিচাৰি আনা; কিন্তু তোমালোকৰ কামৰ নিৰ্দ্দিষ্ট পৰিমাণ
হ্ৰাস কৰা নহব।’” ১২ তেতিয়া লোক সকলে নৰা বিচাৰি জমা কৰিবলৈ
মিচৰ দেশৰ চাৰিওফালে সিঁচৰতি হৈ গ’ল। ১৩ তথাপি কঠোৰ
তত্বাৱধায়ক সকলে তেওঁলোকক তাড়না কৰি ক’লে, “তোমালোকক

নৰা দিওঁতে, তোমালোকে যেনেকৈ কাম কৰিছিলা, এতিয়াও তেনেকৈ
প্ৰতিদিনৰ নিৰূপিত কাম সম্পূৰ্ণ কৰা।” ১৪ তাৰ পাছত ফৰৌণৰ কঠোৰ
তত্ত্বাৱধায়ক সকলে শ্ৰমিক সকলৰ ওপৰত নিযুক্ত কৰা ইস্ৰায়েলী
মুখিয়াল সকলক প্ৰহাৰ কৰিলে। সেই তত্ত্বাৱধায়ক সকলে তেওঁলোকক
সুধিলে, “তোমালোকক নিৰূপিত কৰি দিয়া অনুপাতে আগৰ দৰে,
কালি আৰু আজি তোমালোকে কিয় ইটা তৈয়াৰ কৰিব পৰা নাই?”
১৫ সেয়ে কাৰখানাত কাম কৰা ইস্ৰায়েলী কৰ্মচাৰী সকলে ফৰৌণৰ
ওচৰলৈ আহিল; আৰু তেওঁক কাকুতি কৰি ক’লে, “আপোনাৰ দাস
বিলাকৰ খেত্ৰত কিয় আপুনি এনে ব্যৱহাৰ কৰিছে? ১৬ আপোনাৰ
দাস সকলক এতিয়া নৰা দিয়া হোৱা নাই, তথাপিও তেওঁলোকে
আমাক কৈ আছে ‘ইটা তৈয়াৰ কৰা!’ এনেকি আমিও আপোনাৰ দাস
সকলৰ দ্বাৰাই প্ৰহাৰিত হৈছোঁ। কিন্তু এয়া আপোনাৰ নিজৰ লোক
সকলৰহে ভূল।” ১৭ কিন্তু ফৰৌণে ক’লে, “তোমালোক এলেহুৱা!
তোমালোক সকলোৱে এলেহুৱা! তোমালোকে কৈছা, ‘আমাৰ ঈশ্বৰ
যিহোৱাৰ উদ্দেশ্যে বলিদান কৰিবলৈ আমাক যাবলৈ দিয়ক।’ ১৮ সেয়ে
এতিয়া কাম কৰিবলৈ ঘূৰি যোৱা। আপোনালোকক পুনৰ নৰা দিয়া
নহব, কিন্তু তোমালোকে আগৰ পৰিমাণৰ সমানেই ইটা তৈয়াৰ কৰিব
লাগিব।” ১৯ “তোমালোক প্ৰতিদিনে বনাব লগা ইটাৰ সংখ্যা অলপো
কম কৰা নহব।” এই কথা কোৱাৰ পাছত, ইস্ৰায়েলী মুখিয়াল সকলে
দেখিলে যে, তেওঁলোক বিপদত পৰিছে। ২০ তেওঁলোকে ফৰৌণৰ
আগৰ পৰা ওলাই আহোঁতে ৰাজপ্ৰসাদৰ বাহিৰত ঠিয় হৈ থকা মোচি
আৰু হাৰোণক লগ পালে। ২১ তেওঁলোকে মোচি আৰু হাৰোণক
ক’লে, “যিহোৱাই আপোনালোকলৈ দৃষ্টি কৰি দণ্ড দিয়ক; কাৰণ
আপোনালোকে ফৰৌণ আৰু তেওঁৰ দাস সকলৰ সাক্ষাতে আমাক
দোষী কৰিলে। আমাক বধ কৰিবলৈ আপোনালোকে তেওঁলোকৰ
হাতত তৰোৱাল তুলি দিলে।” ২২ তেতিয়া মোচিয়ে যিহোৱাৰ ওচৰত
প্ৰাৰ্থনা কৰি ক’লে, “হে প্ৰভু, আপুনি এই লোক সকলক বিপদত
কিয় পেলালে? মোৰ আগৰ ঠাইলৈ মোক কিয় পঠিয়ালে? ২৩ মই
যেতিয়াৰে পৰা আপোনাৰ নামেৰে ফৰৌণৰ আগত কথা ক’বলৈ

উপস্থিত হলোঁ, তেতিয়াৰে পৰা তেওঁ এই লোক সকলক যন্ত্ৰণা দিছে;
আৰু আপুনি নিজৰ লোক সকলক সমূলি উদ্ধাৰ কৰা নাই।”

**৬** তেতিয়া যিহোৱাই মোচিক ক’লে, “ফৌৰণলৈ মই কি কৰিম, এতিয়া
তুমি দেখিবলৈ পাবা। তুমি দেখিবলৈ পাবা যে, মোৰ হাতৰ শক্তিৰ
বাবেই ৰজাই লোক সকলক যাবলৈ দিব। মোৰ হাতৰ শক্তিৰ কাৰণেই
ৰজা ফৰৌণে নিজেই তেওঁলোকক দেশৰ পৰা খেদি পঠিয়াব।” ২
ঈশ্বৰে মোচিৰ সৈতে কথা পাতি তেওঁক ক’লে, “মই যিহোৱা। ৩ মই
অব্ৰাহাম, ইচহাক, আৰু যাকোবৰ আগতো সৰ্ব্বশক্তিমান ঈশ্বৰ বুলি
দৰ্শন দিছিলোঁ, কিন্তু মোৰ যিহোৱা নামৰ দ্বাৰাই মই তেওঁলোকক
পৰিচয় দিয়া নাই। ৪ ইয়াৰ উপৰিও যি কনান দেশত তেওঁলোকে
বিদেশীৰ দৰে বাস কৰিছিল, আৰু অনাই বনাই ঘুৰি ফুৰিছিল, সেই
দেশ তেওঁলোকক দিবলৈ মই তেওঁলোকৰ সৈতে এটা নিয়ম স্থিৰ
কৰিছিলোঁ। ৫ তাৰ উপৰিও, মিচৰীয়া সকলে বন্দীকামত লগোৱা
ইস্ৰায়েলী লোক সকলৰ ক্ৰন্দন মই শুনিলো, আৰু মোৰ সেই নিয়মটি
মই স্মৰণ কৰিলোঁ। ৬ এই হেতুকে ইস্ৰায়েলী লোক সকলক কোৱা,
‘মই যিহোৱা; মই মিচৰীয়া সকলৰ বন্দীত্বৰ পৰা তোমালোকক
উলিয়াই আনিম, আৰু মই তেওঁলোকৰ ক্ষমতাৰ পৰা তোমালোকক
মুক্ত কৰিম। মই মোৰ শক্তি প্ৰদৰ্শন কৰিম; আৰু ন্যায় বিচাৰৰ মহা-
কৰ্ম্মেৰে তোমালোকক উদ্ধাৰ কৰিম। ৭ মই তোমালোকক মোৰ নিজৰ
লোক কৰি ল’ম, আৰু মইয়ে তোমালোকৰ ঈশ্বৰ হ’ম। তোমালোকক
মিচৰৰ বন্দীত্বৰ পৰা উলিয়াই অনা ময়েই যে তোমালোকৰ সেই
ঈশ্বৰ যিহোৱা, ইয়াক তোমালোকে জানিবা। ৮ মই যি দেশ অব্ৰাহাম,
ইচহাক, আৰু যাকোবক দিম বুলি শপত খাইছিলোঁ, সেই দেশলৈ
তোমালোকক নিম, আৰু তোমালোকৰ অধিকাৰৰ অৰ্থেও সেই দেশ
মই তোমালোকক দিম; ময়েই যিহোৱা’।” ৯ যেতিয়া মোচি গৈ
ইস্ৰায়েলী লোক সকলক সেই কথা কলে; তেতিয়া তেওঁলোকে কঠিন
বন্দীকামৰ বাবে নিৰুৎসাহ হৈ মোচিৰ কথাত মন নিদিলে। ১০ সেয়ে
যিহোৱাই মোচিক ক’লে, ১১ “তুমি গৈ মিচৰৰ ৰজা ফৰৌণক কোৱা
যে, ইস্ৰায়েলী লোক সকলক আপোনাৰ দেশৰ পৰা ওলাই যাবলৈ এৰি

দিয়ক।” ১২ মোচিয়ে যিহোৱাক ক'লে, “যদি ইস্ৰায়েলী লোক সকলেই মোৰ কথা নুশুনে; তেনেহ'লে ফৰৌণে মোৰ কথা কিয় শুনিব? যিহেতু মই কথা কোৱাত নিপুণ নহয়।” ১৩ যিহোৱাই মোচি আৰু হাৰোণৰ লগত কথা পাতিলে; আৰু মিচৰ দেশৰ পৰা ইস্ৰায়েলী লোক সকলক উলিয়াই দিবলৈ ইস্ৰায়েলী লোক আৰু মিচৰ দেশৰ ৰজা ফৰৌণৰ বাবে তেওঁ আজ্ঞা দিলে। ১৪ এওঁলোকেই নিজৰ পিতৃ-বংশৰ প্ৰধান লোক আছিল: ইস্ৰায়েলৰ জ্যেষ্ঠ পুত্ৰ ৰূবেণ, আৰু ৰূবেণৰ পুত্ৰ হনোক, পল্লু, হিষ্ৰোণ, আৰু কৰ্ম্মী। এওঁলোক আছিল ৰূবেণ গোষ্ঠীৰ পূৰ্বপুৰুষ। ১৫ চিমিয়োনৰ পুত্ৰ সকল আছিল যিমূৱেল, যামীন, ওহদ, যাখীন, চোহৰ আৰু চৌল। চৌল কনানীয়া মহিলাৰ পুত্ৰ আছিল। এওঁলোক আছিল চিমিয়োন গোষ্ঠীৰ পূৰ্বপুৰুষ। ১৬ লেবীৰ পুত্ৰ সকলৰ সৈতে তেওঁলোকৰ বংশধৰ নাম এই তালিকাত উল্লেখিত আছে। তেওঁলোকৰ নাম হ'ল: গেৰ্চোন, কহাৎ, আৰু মৰাৰী। লেবী এশ সাতত্ৰিশ বছৰ বয়সলৈকে জীয়াই আছিল। ১৭ গেৰ্চোনৰ পুত্ৰ লিবনী আৰু চিমিয়ী আছিল। ১৮ কহাতৰ পুত্ৰ সকল হ'ল অম্ৰম, যিচহৰ, হিব্ৰোণ, আৰু উজ্জীয়েল। কহাত এশ তেত্ৰিশ বছৰ বয়সলৈকে জীয়াই আছিল। ১৯ মৰাৰীৰ পুত্ৰ সকল হ'ল মহলী আৰু মুচী। এওঁলোক বংশধৰ সকলৰ সৈতে লেবী গোষ্ঠীৰ পূৰ্বপুৰুষ আছিল। ২০ অম্ৰমে তেওঁৰ পিতৃৰ ভনীয়েক যোকেবদক বিয়া কৰাইছিল। তেওঁ হাৰোণ আৰু মোচিক জন্ম দিছিল। অম্ৰম এশ সাতত্ৰিশ বছৰ জীয়াই আছিল আৰু তাৰ পাছত তেওঁৰ মৃত্যু হৈছিল। ২১ যিচহৰৰ পুত্ৰ সকল আছিল কোৰহ, নেফগ, আৰু জিখ্ৰী। ২২ উজ্জীয়েলৰ পুত্ৰ সকল আছিল মিচায়েল, ইলিচাফন, আৰু চিথ্ৰী। ২৩ হাৰোণে অম্মীনাদবৰ জীয়েক নহচোনৰ ভনীয়েক ইলীচেবাক বিয়া কৰিছিল। তেওঁ নাদব, অবীহূ, ইলিয়াজৰ, আৰু ঈথামৰক, জন্ম দিলে। ২৪ কোৰহৰ পুত্ৰ সকল আছিল অচীৰ, ইলকানা, আৰু অবীয়াচক। এওঁলোক কোৰহীয়া গোষ্ঠীৰ পূৰ্বপুৰুষ। ২৫ হাৰোণৰ পুত্ৰ ইলিয়াজৰে পুটীয়েলৰ এজনী জীয়েকক বিয়া কৰিলে। তেওঁ পীনহচক জন্ম দিলে। এওঁলোকেই লেবীয়া সকলৰ বংশৰ সৈতে পিতৃবংশৰো প্ৰধান লোক আছিল। ২৬ এই দুজন পুৰুষ হাৰোণ আৰু

মোচিক যিহোৱাই কৈছিল, “তোমালোকে ইস্ৰায়েলৰ লোকসকলক
তেওঁলোকৰ যুদ্ধাৰু দলৰ সৈতে মিচৰ দেশৰ পৰা উলিয়াই আনাগৈ।”
২৭ মিচৰ দেশৰ পৰা ইস্ৰায়েলী লোকসকলক উলিয়াই আনিবৰ বাবে
মিচৰৰ ৰজা ফৰৌণক কোৱা লোক সকল মোচি আৰু হাৰোণেই হয়।
২৮ মিচৰ দেশত যেতিয়া যিহোৱাই মোচিৰ সৈতে কথা পাতিছিল, ২৯
তেতিয়া যিহোৱাই মোচিক কৈছিল, “মই যিহোৱা; মই তোমাক যি যি
কথা কলোঁ, সেই সকলো কথা তুমি মিচৰৰ ৰজা ফৰৌণৰ আগত গৈ
কবা।” ৩০ কিন্তু মোচিয়ে যিহোৱাক কৈছিল, “মই কথা কোৱাত পাৰ্গত
নহয়, সেয়ে ফৰৌণে মোৰ কথা কিয় শুনিব?”

**৭** তেতিয়া যিহোৱাই মোচিক ক’লে, “চোৱা, ফৰৌণৰ আগত মই
তোমাক ঈশ্বৰস্বৰূপ কৰিলোঁ; আৰু তোমাৰ ককায়েৰা হাৰোণ তোমাৰ
ভাববাদী হ’ব। ২ মই তোমাক যি আজ্ঞা দিওঁ, সেই সকলোকে তুমি
ক’বা; তাতে ফৰৌণে ইস্ৰায়েলী লোক সকলক নিজৰ দেশৰ পৰা
যাবৰ বাবে এৰি দিবলৈ, তোমাৰ ককায়েৰ হাৰোণে সেই সকলো
কথা ফৰৌণক ক’ব। ৩ কিন্তু মই ফৰৌণৰ মন কঠিন কৰিম, আৰু
মিচৰ দেশত মোৰ পৰাক্ৰমী চিন আৰু অদ্ভুত লক্ষণ দেখুৱাম। ৪
তথাপিও ফৰৌণে তোমালোকৰ কথা নুশুনিব। সেয়ে মই মিচৰৰ
ওপৰত আঘাত কৰিম, আৰু মোৰ ইস্ৰায়েলী লোকসকল, যুদ্ধাৰু দল,
ইস্ৰায়েলৰ বংশধৰ সকলক দণ্ডৰ পৰাক্ৰমী কাৰ্য কৰি মিচৰ দেশৰ পৰা
উলিয়াই আনিম। ৫ মই মিচৰৰ ওপৰত মোৰ পৰাক্ৰমী হাত দিম, আৰু
মিচৰ দেশৰ পৰা ইস্ৰায়েলী লোকসকলক উলিয়াই আনিম, তেতিয়া
ময়েই যে যিহোৱা, সেই বিষয়ে মিচৰীয়া সকলে জানিব পাৰিব।” ৬
মোচি আৰু হাৰোণে সেইদৰে কৰিলে; যিহোৱাই আজ্ঞা দিয়াৰ দৰেই
তেওঁলোকে কাৰ্য কৰিলে। ৭ তেওঁলোকে যেতিয়া ফৰৌণৰ লগত কথা
পাতিছিল, তেতিয়া মোচিৰ আশী বছৰ আৰু হাৰোণৰ তিৰাশী বছৰ
বয়স হৈছিল। ৮ যিহোৱাই মোচি আৰু হাৰোণক ক’লে, ৯ “যেতিয়া
ফৰৌণে তোমালোকক ক’ব, তোমালোকে কোনো এটা আচৰিত কাৰ্য
কৰি দেখুউৱা, তেতিয়া তুমি হাৰোণক ক’বা যে, তোমাৰ লাখুটি সাপ
হ’বৰ বাবে, লাখুটিডাল ফৌৰণৰ সন্মুখত পেলোৱা।” ১০ তাৰ পাছত

মোচি আৰু হাৰোণে ফৰৌণৰ ওচৰলৈ গ'ল, আৰু যিহোৱাই আজ্ঞা
দিয়াৰ দৰেই কাৰ্য কৰিলে। হাৰোণে নিজৰ লাখুটি ফৰৌণ আৰু তেওঁৰ
দাস সকলৰ সন্মুখত পেলাই দিলে; আৰু সেই লাখুটিডাল সাপ হ'ল।
১১ তেতিয়া ফৰৌণে তেওঁৰ জ্ঞানী আৰু মায়া-কৰ্ম জনা লোক সকলক
মাতি পঠিয়ালে; তেতিয়া সেই মিচৰীয়া শাস্ত্ৰজ্ঞ সকলেও নিজৰ নিজৰ
মায়াকৰ্মেৰে সেইদৰেই কৰিলে। ১২ তেওঁলোকৰ প্ৰতিজনে নিজৰ
নিজৰ লাখুটি তলত পেলাই দিলে, আৰু সেইবোৰো সাপ হ'ল। কিন্তু
হাৰোণৰ লাখুটিয়ে তেওঁলোকৰ সাপবোৰ গিলি পেলালে। ১৩ তাৰ
পাছত যিহোৱাই কোৱাৰ দৰেই, ফৰৌণৰ মন কঠিন হ'ল, আৰু তেওঁ
তেওঁলোকৰ কথা নুশুনিলে। ১৪ যিহোৱাই মোচিক ক'লে, "ফৰৌণৰ
মন কঠিন হ'ল, আৰু তেওঁ লোকসকলক এৰি দিবলৈ অমান্তি হৈছে।
১৫ ৰাতিপুৱা যেতিয়া ফৰৌণে পানীৰ ওচৰলৈ যায়, সেই সময়ত
তুমি তেওঁৰ ওচৰলৈ যাবা। তুমি তেওঁৰে সৈতে সাক্ষাৎ কৰিবলৈ
নদীৰ পাৰত থিয় হৈ থাকিবা; আৰু যি লাখুটিডাল সাপ হৈছিল, সেই
লাখুটি ডালো তোমাৰ হাতত ল'বা। ১৬ তুমি তেওঁক ক'বা, 'ইব্ৰীয়া
সকলৰ ঈশ্বৰ যিহোৱাই আপোনাৰ ওচৰলৈ মোক ক'বলৈ পঠিয়াইছে,
"মৰুভূমিত ঈশ্বৰৰ আৰধনা কৰিবৰ অৰ্থে ঈশ্বৰৰ লোক সকলক যাবলৈ
দিয়ক। কিন্তু আপুনি এতিয়ালৈকে শুনা নাই।" ১৭ যিহোৱাই এইদৰে
কৈছে, "মই যে যিহোৱা, তাক তুমি ইয়াৰ দ্বাৰাই জানিবা।" মই নিজৰ
হাতত থকা লাখুটিৰে নীল নদীৰ পানীত প্ৰহাৰ কৰিম, তাতে নদীৰ
পানী তেজলৈ পৰিণত হ'ব। ১৮ তেতিয়া নদীত থকা মাছবোৰ মৰিব,
আৰু নদী দুৰ্গন্ধময় হ'ব। দুৰ্গন্ধময় পানী হোৱাৰ বাবে মিচৰীয়া সকলে
নদীৰ পানী খাব নোৱাৰিব'।" ১৯ তাৰ পাছত যিহোৱাই মোচিক
ক'লে, "হাৰোণক এই কথা কোৱা, 'তুমি তোমাৰ লাখুটিডাল হাতত
লৈ মিচৰ দেশৰ সকলো পানী যেনে নদী, খাল, বিল, আৰু সকলো
পুখুৰীবোৰত লাখুটিডালেৰে প্ৰহাৰ কৰা; যাতে সেই সকলো পানী
তেজলৈ ৰূপান্তৰিত হয়। এইদৰে কৰা যাতে গোটেই মিচৰ দেশত
এনেকি তেওঁলোকৰ কাঠ আৰু শিলৰ পাত্ৰতো পানী তেজলৈ ৰূপান্তৰিত
হয়।" ২০ তেতিয়া মোচি আৰু হাৰোণে যিহোৱাই আজ্ঞা দিয়াৰ দৰেই

সেই কার্য কৰিলে। হাৰোণে ফৰৌণ আৰু তেওঁৰ দাস সকলৰ সন্মুখত
নদীৰ পানীত লাখুটি দাঙি প্ৰহাৰ কৰিলে; তেতিয়া নদীৰ সকলো
পানী তেজ হ'ল। ২১ নদীৰ মাছবোৰ মৰিল, আৰু নদী দুৰ্গন্ধময় হ'ল।
মিচৰীয়া লোক সকলে নদীৰ পানী খাব নোৱাৰিলে; আৰু সেই তেজ
মিচৰ দেশৰ সকলো ঠাইতে হ'ল। ২২ কিন্তু মিচৰীয়া শাস্ত্ৰজ্ঞসকলেও
নিজৰ নিজৰ মায়াকৰ্মেৰে সেইদৰেই কৰিলে। সেয়ে যিহোৱাই কোৱাৰ
দৰে ফৰৌণৰ মন কঠিন হ'ল, আৰু তেওঁ তেওঁলোকৰ কথা শুনিবলৈ
অমান্তি হ'ল। ২৩ তাৰ পাছত ফৰৌণে সেই আচৰিত কাৰ্যলৈ মনযোগ
নিদি, নিজৰ ঘৰলৈ উভটি গ'ল। ২৪ সকলো মিচৰীয়া লোকে খোৱা
পানীৰ বাবে নদীৰ চাৰিওফালে গাত খানিলে; কিন্তু সেই পানীও নদীৰ
পানী দৰে হোৱা বাবে তেওঁলোকে খাব নোৱাৰিলে। ২৫ যিহোৱাই
নদী প্ৰহাৰ কৰা সাত দিন পূৰ হ'ল।

৮ তাৰ পাছত যিহোৱাই মোচিক ক'লে, "তুমি ফৰৌণৰ ওচৰলৈ গৈ
তেওঁক কোৱা যে, 'যিহোৱাই এইদৰে কৈছে: মোৰ আৰধনা কৰিবৰ
অৰ্থে মোৰ লোকসকলক যাবলৈ দিয়া। ২ তুমি যদি তেওঁলোকক
যাবলৈ দিয়াত অমান্তি হোৱা, তেনেহ'লে মই তোমাৰ দেশৰ সকলো
ঠাইত ভেকুলীৰে উপদ্ৰৱ কৰিম। ৩ নদী ভেকুলীৰে পৰিপূৰ্ণ হ'ব;
সেইবোৰ উঠি তোমাৰ ঘৰত, শোৱা কোঁঠালিত, বিচনাত, আৰু তোমাৰ
দাসসকলৰ ঘৰতো সোমাব। এনেকি তোমাৰ লোকসকলৰ গাৰ
ওপৰত উঠিব, তোমাৰ তন্দুৰ আৰু তোমাৰ আটা খচা পাত্ৰতো
সোমাব। ৪ ভেকুলীয়ে তোমাক, তোমাৰ লোকসকলক, আৰু তোমাৰ
দাসসকলক আক্ৰমণ কৰিব'।" ৫ যিহোৱাই মোচিক ক'লে, "তুমি
হাৰোণক কোৱা, 'নদী, নিজৰা আৰু বিলৰ ওপৰলৈ তুমি তোমাৰ হাত
দাঙি লাখুটিৰে প্ৰহাৰ কৰি মিচৰ দেশৰ ওপৰলৈ ভেকুলীবোৰ তুলি
আনা'।" ৬ তেতিয়া হাৰোণে মিচৰ দেশৰ সকলো পানীৰ ওপৰত নিজৰ
হাত মেলিলে, আৰু ভেকুলীবোৰ উঠি আহি, গোটেই মিচৰ দেশখনক
চানি ধৰিলে। ৭ কিন্তু শাস্ত্ৰজ্ঞসকলেও নিজৰ নিজৰ মায়াকৰ্মেৰে
সেইদৰেই কৰিলে, আৰু মিচৰ দেশৰ ওপৰলৈ ভেকুলীবোৰ তুলি
আনিলে। ৮ তেতিয়া ফৰৌণে মোচি আৰু হাৰোণক মাতি ক'লে,

“যিহোৱাই যেন মোৰ আৰু মোৰ লোকসকলৰ পৰা ভেকুলীবোৰ
আঁতৰাই নিয়ে, তাৰ বাবে তেওঁৰ আগত প্ৰাৰ্থনা কৰক। তাৰ পাছত মই
যিহোৱাৰ উদ্দেশ্যে বলিদান কৰিবলৈ ইস্ৰায়েলী লোকসকলক যাবলৈ
দিম।” ৯ তেতিয়া মোচিয়ে ফৰৌণক ক’লে, “ভেকুলীবোৰ আপোনাৰ
দাস আৰু আপোনাৰ ঘৰবোৰৰ পৰা নাইকিয়া হৈ কেৱল যেন নদীতহে
থাকে, সেইবাবে আপোনাৰ লোকসকলৰ অৰ্থে প্ৰাৰ্থনা কৰি ক’বৰ
বাবে আপুনি নিৰূপিত সময়ৰ সুযোগ পাইছে।” ১০ তেতিয়া ফৰৌণে
তেওঁক ক’লে, “কাইলৈ।” মোচিয়ে তেওঁৰ কথা শুনি ক’লে, “আমাৰ
ঈশ্বৰ যিহোৱাৰ তুল্য কোনো নাই, ইয়াক যেন আপুনি জানিব পাৰে,
সেই বাবে আপুনি কোৱাৰ দৰেই হওক। ১১ ভেকুলীবোৰ আপোনাৰ,
আপোনাৰ ঘৰ, দাস, আৰু লোকসকলৰ পৰাও গুচি যাব। সেইবোৰ
কেৱল নদীতহে থাকিব।” ১২ মোচি আৰু হাৰোণ ৰজা ফৰৌণৰ
সন্মুখৰ পৰা আঁতৰি গ’ল। পাছত ফৰৌণৰ বিৰুদ্ধে যিহোৱাই অনা
ভেকুলীবোৰৰ কাৰণে মোচিয়ে যিহোৱাৰ আগত কাতৰোক্তি কৰিলে।
১৩ তাতে যিহোৱাই মোচিৰ নিবেদন শুনিলে; আৰু ঘৰ, চোতাল, আৰু
পথাৰবোৰত ভেকুলীবোৰ মৰিল। ১৪ তেতিয়া লোকসকলে সেইবোৰ
গোটাই দ’ম দ’ম কৰিলে; আৰু গোটেই দেশ দুৰ্গন্ধময় হ’ল। ১৫ কিন্তু
ফৰৌণে ভেকুলীৰ উপদ্ৰৱৰ পৰা সকাহ পোৱা দেখি, যিহোৱাই কোৱাৰ
দৰে, ফৰৌণে পুনৰ নিজৰ মন কঠিন কৰি মোচি আৰু হাৰোণৰ কথা
নুশুনিলে। ১৬ যিহোৱাই মোচিক ক’লে, “হাৰোণক কোৱা যে, ‘গোটেই
মিচৰ দেশত পৃথিৱীৰ ধূলি ওকণী হ’বৰ বাবে তুমি নিজৰ লাখুটি
দাঙি ধুলিত প্ৰহাৰ কৰা’।” ১৭ তেতিয়া তেওঁলোকে সেইদৰে কৰিলে;
হাৰোণে নিজৰ লাখুটি লৈ, হাত দাঙি দেশৰ ধুলিত প্ৰহাৰ কৰিলে, আৰু
মানুহ আৰু পশুবোৰতো ওকণী হ’ল। গোটেই মিচৰ দেশৰ ধুলিবোৰ
ওকণী হ’ল। ১৮ শাস্ত্ৰজ্ঞসকলেও নিজৰ নিজৰ মায়াকৰ্মেৰে সেইদৰেই
ওকণী উৎপন্ন কৰিবলৈ চেষ্টা কৰিছিল, কিন্তু তেওঁলোকে কৰিব
নোৱাৰিলে। দেশত মানুহ আৰু পশুবোৰতো ওকণী হ’ল। ১৯ তেতিয়া
শাস্ত্ৰজ্ঞসকলে ফৰৌণক ক’লে, “এই কৰ্ম, ঈশ্বৰৰ আঙুলিৰ দ্বাৰাই কৰা
কৰ্ম।” কিন্তু যিহোৱাই কোৱাৰ দৰে, ফৰৌণৰ মন পুনৰ কঠিন হ’ল,

সেয়ে তেওঁ তেওঁলোকৰ কথা শুনিবলৈ অমান্তি হ'ল। ২০ যিহোৱাই
মোচিক ক'লে, "তুমি ৰাতিপুৱাতে উঠি গৈ ফৰৌণে পানীৰ ওচৰলৈ
যোৱাৰ সময়ত তুমি তেওঁৰ সন্মুখত থিয় হৈ ক'বা, যিহোৱাই এইদৰে
কৈছে: 'মোৰ আৰধনা কৰিবৰ অৰ্থে মোৰ লোকসকলক যাব দিয়া।
২১ কিন্তু যদি মোৰ লোকসকলক যাব নিদিয়া, তেনেহ'লে মই তোমাৰ,
তোমাৰ দাসসকলৰ, লোকসকলৰ আৰু ঘৰবোৰৰ ভিতৰলৈকে জাকে
জাকে ডাঁহ পঠাম; তেতিয়া মিচৰীয়াসকলৰ ঘৰ, এনেকি তেওঁলোকে
বাস কৰা ভূমিও ডাঁহৰ জাকেৰে পৰিপূৰ্ণ হ'ব। ২২ কিন্তু সেই দিনা
গোচন দেশত বাস কৰা মোৰ লোকসকলৰ বাবে মই বেলেগ ব্যৱস্থা
কৰিম। সেয়ে গোচন দেশত কোনো ডাঁহৰ জাক নহ'ব। পৃথিৱীৰ
মাজত ময়েই যে যিহোৱা, এই কথা জানিবৰ বাবে এই সকলো ঘটিব।
২৩ এইদৰে মোৰ লোকসকলৰ, আৰু তোমাৰ লোকসকলৰ মাজত
মই প্ৰভেদ জন্মাম। মোৰ পৰাক্ৰমৰ কাৰ্য কাইলৈ সম্পন্ন হ'ব'।"
২৪ যিহোৱাই সেইদৰেই কৰিলে। ফৰৌণ আৰু তেওঁৰ দাসসকলৰ
ঘৰত জাকে জাকে ডাঁহবোৰ সোমাল। গোটেই মিচৰ দেশতে সেই
ডাঁহৰ জাকৰ উৎপাতত ভূমি নষ্ট হ'ল। ২৫ তেতিয়া ফৰৌণে মোচি
আৰু হাৰোণক মাতি আনি ক'লে, "তোমালোকে আমাৰ দেশতে
তোমালোকৰ ঈশ্বৰৰ উদ্দেশ্যে বলিদান কৰা।" ২৬ মোচিয়ে ক'লে,
"সেইদৰে কৰাটো আমাৰ বাবে উচিত নহয়; কাৰণ আমি আমাৰ
ঈশ্বৰ যিহোৱাৰ উদ্দেশ্যে কৰা বলিদান মিচৰীয়াসকলৰ বাবে ঘৃণনীয়।
সেয়ে মিচৰীয়াসকলৰ সাক্ষাতে তেওঁলোকৰ ঘৃণনীয় বলিদান কৰিলে
তেওঁলোকে আমাক শিল দলিয়াই নামাৰিব নে? ২৭ নহয়! আমাৰ ঈশ্বৰ
যিহোৱাই আমাক আজ্ঞা দিয়াৰ দৰে, তেওঁৰ উদ্দেশ্যে বলিদান কৰিবৰ
অৰ্থে, আমাক তিনিদিনৰ বাট মৰুভূমিৰ মাজেৰে যাবলৈ দিয়ক।" ২৮
তাৰ পাছত ফৰৌণে ক'লে, "মৰুভূমিত তোমালোকৰ ঈশ্বৰ যিহোৱাৰ
উদ্দেশ্যে বলিদান কৰিবৰ অৰ্থে, মই তোমালোকক যাবলৈ অনুমতি
দিছোঁ। কিন্তু তোমালোক বহুত দূৰলৈ নাযাবা। তোমালোকে মোৰ
বাবে প্ৰাৰ্থনা কৰা।" ২৯ তেতিয়া মোচিয়ে ক'লে, "মই আপোনাৰ
ওচৰৰ পৰা যোৱাৰ পাছতে যিহোৱাৰ আগত প্ৰাৰ্থনা কৰিম; যাতে

ফৰৌণ, আৰু আপোনাৰ দাসসকল, আৰু লোকসকলক কাইলৈ ডাঁহৰ
জাকবোৰে যেন এৰি গুচি যায়। কেৱল যিহোৱাৰ উদ্দেশ্যে বলিদান
কৰিবৰ অৰ্থে ইস্রায়েলী লোকসকলক যাবলৈ দিয়াত আপুনি যেন পুনৰ
প্ৰবঞ্চনা নকৰে।” ৩০ তাৰ পাছত মোচিয়ে ফৰৌণৰ ওচৰৰ পৰা
ওলাই গৈ, যিহোৱাৰ আগত প্ৰাৰ্থনা কৰিলে। ৩১ তেতিয়া যিহোৱাই
মোচিয়ে কোৱাৰ দৰে কৰিলে: তেওঁ ফৰৌণ, তেওঁৰ দাসসকল, আৰু
লোকসকলৰ পৰা ডাঁহৰ জাকবোৰ আতৰাই পঠালে। তাতে এটিও
অবশিষ্ট নাথাকিল। ৩২ তথাপিও ফৰৌণে সেইবাৰো মন কঠিন
কৰিলে, আৰু তেওঁ লোকসকলক যাবলৈ এৰি নিদিলে।

**৯** তাৰ পাছত যিহোৱাই মোচিক ক’লে, “তুমি ফৰৌণৰ ওচৰলৈ গৈ
তেওঁক কোৱা, ইব্ৰীয়া লোকসকলৰ ঈশ্বৰ যিহোৱাই এইদৰে কৈছে,
‘মোৰ আৰধনা কৰিবৰ অৰ্থে মোৰ লোকসকলক যাবলৈ দিয়ক। ২
কিন্তু এতিয়াও যদি তেওঁলোকক যাব দিয়াত অমান্তি হৈ তেওঁলোকক
ধৰি ৰাখিব বিচাৰে, ৩ তেনেহ’লে আপোনাৰ পথাৰত থকা পশুবোৰ,
যেনে ঘোঁৰা, গাধ, উট, গৰু, মেৰ-ছাগ, আৰু ছাগলী জাকবোৰৰ
ওপৰত যিহোৱাই হাত দিব; আৰু ইয়াৰ দ্বাৰাই ভয়ানক মহামাৰী
হ’ব। ৪ কিন্তু যিহোৱাই ইস্রায়েলী লোকসকলৰ পশুবোৰ আৰু মিচৰীয়া
লোকসকলৰ পশুবোৰৰ মাজত প্ৰভেদ কৰিব; তেতিয়া যিবোৰ পশু
ইস্রায়েলী লোকসকলৰ নহয় সেইবোৰ মৰিব’।” ৫ যিহোৱাই সময়
নিৰূপণ কৰি ক’লে, “কাইলৈ দেশত মই এই কাৰ্য কৰিম।” ৬ পাছদিনা
যিহোৱাই সেই কাৰ্য কৰিলে। মিচৰৰ আটাইবোৰ পশু মৰিল; কিন্তু
ইস্রায়েলী লোকসকলৰ পশুবোৰৰ এটাও নমৰিল। ৭ তেতিয়া ফৰৌণে
বিচাৰ কৰি দেখিলে যে, ইস্রায়েলী লোকসকলৰ এটাও পশু মৰা নাই।
তথাপিও ফৰৌণৰ মন কঠিন হল, আৰু তেওঁ লোক সকলক যাবলৈ
এৰি নিদিলে। ৮ তাৰ পাছত যিহোৱাই মোচি আৰু হাৰোণক ক’লে,
“তোমালোকে মুঠি ভৰাই অগ্নিকুণ্ডৰ পৰা ছাঁই লোৱা, কিন্তু মোচি, তুমি
ফৰৌণে চাই থকা সময়ত সেই ছাঁই ওপৰ ফাললৈ ছটিয়াই দিবা। ৯
তাতে, সেই ছাঁই গোটেই মিচৰ দেশখনতে মিহি ধূলি হৈ পৰিব। এই
ধূলিৰ কাৰণে গোটেই মিচৰ দেশৰ মানুহ আৰু পশুবোৰৰ শৰীৰত

অনেক ঘা আৰু ফোহাঁ উঠিব।” ১০ সেয়ে তেওঁলোকে অগ্নিকুণ্ডৰ পৰা
ছাঁই লৈ, ফৰৌণৰ আগত থিয় হ’ল। মোচিয়ে সেই ছাঁই ওপৰলৈ
ছটিয়াই পঠিয়ালে, আৰু সেই ছাঁইৰ কাৰণে মানুহ আৰু পশুবোৰৰ
শৰীৰত অনেক ঘা আৰু ফোঁহা উঠিল। ১১ শাস্ত্ৰজ্ঞ সকলে সেই বিষম
খহুৰ কাৰণে মোচিক বাধা দিব নোৱাৰিলে। কাৰণ সকলো শাস্ত্ৰজ্ঞ
আৰু মিচৰীয়া লোকসকলৰ শৰীৰত সেই বিষম খহু ওলাইছিল। ১২
তথাপি যিহোৱাই মোচিক কোৱাৰ দৰে, তেওঁ ফৰৌণৰ মন কঠিন
কৰিলে, সেয়ে ফৰৌণে মোচি আৰু হাৰোণৰ কথা নুশুনিলে। ১৩ তাৰ
পাছত যিহোৱাই মোচিক ক’লে, “তুমি ৰাতিপুৱাতে উঠি, ফৰৌণৰ
আগত থিয় হৈ, তেওঁক কবা, ‘ইব্ৰীয়াসকলৰ ঈশ্বৰ যিহোৱাই এইদৰে
কৈছে, “মোৰ সেৱা কৰিবৰ অৰ্থে মোৰ লোকসকলক যাবলৈ দিয়ক।
১৪ কিয়নো গোটেই পৃথিৱীত মোৰ তুল্য যে কোনো নাই, ইয়াক
আপুনি জানিবৰ বাবে, মই এইবাৰ তোমাৰ, তোমাৰ দাস আৰু
তোমাৰ লোকসকলৰ ওপৰলৈ মোৰ সকলো মহামাৰী পঠিয়াম।” ১৫
মই এতিয়ালৈকে তোমাৰ ওপৰত হাত দি, তোমাক আৰু তোমাৰ
লোকসকলক মহামাৰীৰে প্ৰহাৰ কৰা হ’লে, তোমালোকে পৃথিৱীৰ
পৰা উচ্ছন্ন হ’লাহেঁতেন। ১৬ অৱশ্যে তোমাক মোৰ শক্তি দেখুৱাবলৈ
আৰু গোটেই পৃথিৱীত মোৰ নাম যেন খ্যাতিমন্ত হয়, সেই কাৰণে
মই তোমাক জীয়াই থাকিব দিছোঁ। ১৭ এতিয়ালৈকে তুমি গৰ্ব কৰি,
মোৰ লোকসকলক এৰি দিবলৈ সন্মত হোৱা নাই। ১৮ শুনা, মিচৰ
দেশ স্থাপন হোৱা দিনেৰে পৰা আজিলৈকে যি ধৰণে শিলাবৃষ্টি হোৱা
নাই, মই কাইলৈ এনে সময়তে প্ৰচণ্ড শিলাবৃষ্টি বৰষাম। ১৯ সেয়ে
তুমি এতিয়া মানুহ পঠিয়াই পথাৰত থকা তোমাৰ পশু আৰু যি
সকলো আছে, সেই সকলো গোটাই নিৰাপদ স্থানত ৰাখা। যিবোৰ
মানুহ আৰু পশু ঘৰলৈ ননাকৈ পথাৰত থাকিব, সেইবোৰৰ ওপৰত
শিলাবৃষ্টি হোৱাত, সেইবিলাক মৰিব’।” ২০ তেতিয়া ফৰৌণৰ যি
সকল দাসে যিহোৱাৰ বাক্য বিশ্বাস কৰিছিল, তেওঁলোকে নিজৰ বন্দী
আৰু পশুবোৰক বেগাই ঘৰলৈ আনিলে। ২১ কিন্তু যি সকল লোকে
যিহোৱাৰ বাক্য গুৰুত্বৰ ভাবে লোৱা নাছিল, তেওঁলোকে নিজৰ বন্দী

আৰু পশুবোৰক পথাৰতে থাকিব দিলে। ২২ তাৰ পাছত যিহোৱাই
মোচিক ক'লে, "গোটেই মিচৰ দেশৰ মানুহ, পশু, আৰু পথাৰত
থকা সকলো গছ-গছনিৰ ওপৰত শিলাবৃষ্টি হবলৈ তুমি আকাশৰ
ফাললৈ চাই তোমাৰ হাত মেলা।" ২৩ মোচিয়ে আকাশলৈ চাই নিজৰ
লাখুটি দাঙিলে। তেতিয়া যিহোৱাই গোটেই মিচৰ দেশত মেঘ-গৰ্জ্জন
কৰি বিজুলী আৰু শিলাবৃষ্টি বৰষালে। ২৪ এইদৰে শিলাবৃষ্টি আৰু
বিজুলী মিহলি হৈ ভয়ঙ্কৰ ৰূপ ল'লে। এনে শিলাবৃষ্টি মিচৰ দেশ
স্থাপন হোৱা দিনৰে পৰা কেতিয়াও হোৱা নাছিল। ২৫ গোটেই মিচৰ
দেশৰ পথাৰত থকা মানুহ আৰু পশু সকলোকে শিলাবৃষ্টিয়ে বিনষ্ট
কৰিলে। শিলাবৃষ্টিয়ে পথাৰৰ সকলো গছ-গছনি আৰু দেশৰ সকলো
গছ ভাঙিলে। ২৬ কেৱল ইস্ৰায়েলী লোকসকল বাস কৰা গোচন
দেশতহে শিলাবৃষ্টি হোৱা নাছিল। ২৭ তেতিয়া ফৰৌণে মানুহ পঠিয়াই
মোচি আৰু হাৰোণক মাতি অনালে। ফৰৌণে তেওঁলোকক ক'লে, "মই
এইবাৰ পাপ কৰিলোঁ। যিহোৱা ন্যায়পৰায়ণ, কিন্তু মই আৰু মোৰ
লোক সকল হ'লে দুৰ্নীতিপৰায়ণ। ২৮ মহা-গৰ্জ্জন আৰু শিলাবৃষ্টি সহিব
নোৱাৰাকৈ অধিক হৈছে, সেয়ে তোমালোকে যিহোৱাৰ আগত প্ৰাৰ্থনা
কৰা। মই তোমালোকক যাবলৈ দিম; তোমালোক আৰু ইয়াত থাকিব
নালাগে।" ২৯ মোচিয়ে তেওঁক ক'লে, "নগৰ ত্যাগ কৰাৰ পাছতেই মই
যিহোৱালৈ হাত মেলি প্ৰাৰ্থনা কৰিম। তেতিয়া পৃথিৱী যে যিহোৱাৰহে
হয়, এই কথা আপুনি জানিবলৈ মেঘ-গৰ্জ্জন বন্ধ হ'ব, আৰু শিলাবৃষ্টিও
নহ'ব। ৩০ কিন্তু আপুনি আৰু আপোনাৰ দাসসকলে যে এতিয়াও
ঈশ্বৰ যিহোৱাক প্ৰকৃততে সন্মান কৰা নাই, সেই কথা মই জানো।"
৩১ সেই সময়ত শণ সূতাৰ ফুলবোৰ আৰু যৱ ধান নষ্ট হৈছিল; কাৰণ
যৱ ধানৰ থোক পুৰঠ হৈছিল, আৰু শণ সূতাৰ ফুলবোৰ ফুলিছিল।
৩২ কিন্তু ঘেঁহু আৰু সৰিয়হ নষ্ট নহ'ল কাৰণ সেইবোৰ ইয়াৰ পাছত
হোৱা শস্য। ৩৩ মোচিয়ে যেতিয়া ফৰৌণ আৰু তেওঁৰ নগৰ ত্যাগ কৰি
যোৱাৰ পাছত যিহোৱালৈ হাত মেলি প্ৰাৰ্থনা কৰিলে, তেতিয়া মেঘ-
গৰ্জ্জন আৰু শিলাবৃষ্টি হ'বলৈ বন্ধ হ'ল। ৩৪ ফৰৌণে যেতিয়া বৰষুণ,
শিলাবৃষ্টি, আৰু মেঘ-গৰ্জ্জন বন্ধ হোৱা দেখিলে, তেতিয়া তেওঁ আৰু

তেওঁৰ দাসসকলে নিজৰ মন পুনৰ কঠিন কৰি পাপ কৰিলে। ৩৫
এইদৰে যিহোৱাই মোচিক কোৱাৰ দৰে, ফৰৌণৰ মন কঠিন হ'ল,
আৰু তেওঁ ইস্রায়েলী লোকসকলক যাবলৈ এৰি নিদিলে।
**১০** যিহোৱাই মোচিক ক'লে, "তুমি ফৰৌণৰ ওচৰলৈ যোৱা। মিচৰ
দেশত মোৰ শক্তিৰ চিনবোৰ দেখুৱাবৰ বাবে মই ফৰৌণ আৰু তেওঁৰ
দাস সকলৰ মন কঠিন কৰিলোঁ। ২ মই এইদৰে কৰাৰ কাৰণ এয়াও
হয় যে, মই মিচৰীয়া লোক সকলক কিদৰে কঠোৰ ব্যৱহাৰ কৰিলোঁ,
আৰু তেওঁলোকৰ মাজত মোৰ শক্তিৰ চিন কিদৰে দেখুৱালোঁ এই
সকলো কথা তুমি তোমাৰ সন্তান আৰু নাতি-নাতিনীয়েক সকলক
যাতে ক'ব পাৰিবা। ইয়াৰ যোগেদি তোমালোকে জানিবা যে, মই
যিহোৱা।" ৩ তেতিয়া মোচি আৰু হাৰোণ ফৰৌণৰ ওচৰলৈ গ'ল, আৰু
তেওঁক ক'লে, "ইব্ৰীয়া সকলৰ ঈশ্বৰ যিহোৱাই এইদৰে কৈছে: 'তুমি
মোৰ আগত নম্ৰ হবলৈ কিমান সময়লৈকে অমান্তি হৈ থাকিবা? মোৰ
আৰাধনা কৰিবৰ অৰ্থে মোৰ লোক সকলক যাবলৈ এৰি দিয়া। ৪ কিন্তু
তুমি যদি মোৰ লোক সকলক যাবলৈ দিয়াত অমান্তি হোৱা, তেনেহ'লে
শুনা, কাইলৈ তোমাৰ দেশলৈ মই কাকতী ফৰিং আনিম। ৫ সেইবোৰে
গোটেই দেশখন এনেকৈ ঢাকি ধৰিব যে, কোনো এজনে মাটিও দেখা
নাপাব। শিলাবৃষ্টিৰ পৰা ৰক্ষা পোৱা অৱশিষ্ট গছবোৰ সেইবোৰে
খাই পেলাব। আনকি আপোনালোকৰ বাবে পথাৰত উৎপন্ন হোৱা
সকলো গছো খাই পেলাব ৬ আপোনাৰ ঘৰ, আৰু আপোনাৰ দাস
সকলৰ ঘৰত, আৰু সকলো মিচৰীয়াৰে সকলৰ ঘৰবোৰ সেই কাকতী
ফৰিঙেৰে ভৰি পৰিব। ইমান ফৰিং হ'ব যে, আপোনাৰ পিতৃ আৰু
আপোনাৰ ওপৰ-পিতৃসকলে কেতিয়াও তেনে ফৰিং দেখা নাই।" তাৰ
পাছত মোচি ফৰৌণৰ আগৰ পৰা বাহিৰলৈ ওলাই গ'ল। ৭ তেতিয়া
ফৰৌণৰ দাস সকলে ফৰৌণক ক'লে, "এই মানুহ জন আমালৈ
কিমান দিনলৈকে ফান্দস্বৰূপ হৈ থাকিব? ইস্রায়েলী লোকসকল নিজৰ
ঈশ্বৰ যিহোৱাৰ আৰাধনা কৰিবৰ অৰ্থে যাবলৈ এৰি দিয়ক। মিচৰ
দেশখন যে ধ্বংস হ'ল, এতিয়ালৈকে সেই কথা আপুনি উপলব্ধি কৰা
নাই নে?" ৮ তেতিয়া মোচি আৰু হাৰোণক ফৰৌণৰ আগলৈ পুনৰ

মাতি অনা হ'ল, ফৰৌণে তেওঁলোকক ক'লে, "যোৱা, তোমালোকৰ
ঈশ্বৰ যিহোৱাৰ আৰাধনা কৰা; কিন্তু কোনবোৰ লোক যাব?" ৯
মোচিয়ে ক'লে, "আমি আমাৰ ডেকা, বুঢ়া, নিজৰ নিজৰ লৰা-ছোৱালী,
আৰু মেৰ-ছাগ, ছাগলী, গৰুৰ জাকবোৰকো লগত লৈ যাম। কাৰণ
যিহোৱাৰ উদ্দেশ্যে আমি উৎসৱ পালন কৰিব লাগিব।" ১০ ফৰৌণে
তেওঁলোকক ক'লে, "যিহোৱা তোমালোকৰ লগত থাকক; যিহেতু
মই তোমালোকক সন্তানসকলৰ সৈতে যাবলৈ এৰি দিছোঁ, আৰু
চোৱা, তোমালোকৰ মন কিছু দুষ্টতাৰে পৰিপূৰ্ণ। ১১ সেয়ে নহব;
কেৱল তোমালোকৰ মাজৰ পুৰুষসকল যাওক, আৰু যিহোৱাৰ সেৱা
কৰক; কিয়নো এইদৰে কৰাটোৱেই তোমালোকে বিচাৰিছে।" পাছত
ফৰৌণৰ আগৰ পৰা মোচি আৰু হাৰোনক পঠিয়াই দিয়া হ'ল। ১২ তাৰ
পাছত যিহোৱাই মোচিক ক'লে, "কাকতী ফৰিংবোৰ মিচৰ দেশলৈ
আহি, শিলাবৃষ্টিৰ পৰা অৱশিষ্ট থকা তৃণ আদি সকলোকে খাবলৈ তুমি
কাকতী ফৰিঙৰ বাবে মিচৰ দেশৰ ওপৰলৈ হাত মেলা।" ১৩ তেতিয়া
মোচিয়ে মিচৰ দেশৰ ওপৰলৈ নিজৰ লাখুটি দাঙিলে, আৰু যিহোৱাই
সেই দিনা দিনে ৰাতিয়ে সেই দেশৰ ওপৰত পূব ফালৰ পৰা বায়ু
বোৱালে। যেতিয়া ৰাতিপুৱা হ'ল, তেতিয়া পূব ফালৰ পৰা অহা বতাহে
কাকতি ফৰিংবোৰ উৰোৱাই আনিলে। ১৪ তাতে ফৰিংবোৰ সমগ্ৰ
মিচৰ দেশলৈ আহিল, আৰু মিচৰৰ আটাই অঞ্চলত উপদ্ৰৱ কৰিলে।
ইমান বেছি ফৰিং পূৰ্বতে কেতিয়াও হোৱা নাই, আৰু পুনৰ কেতিয়াও
নহ'ব। ১৫ সেই ফৰিংবোৰে সমগ্ৰ দেশ ছানি ধৰিলে, তাতে দেশখন
অন্ধকাৰময় হ'ল। সেই ফৰিংবোৰে দেশৰ সকলো গছ-গছনি আৰু
শিলাবৃষ্টিৰ পৰা অবশিষ্ট থকা গছৰ সকলো ফলবোৰ খালে। তাতে
সমগ্ৰ মিচৰ দেশত এজোপাও সেউজীয়া গছ জীয়াই নাথাকিল, আৰু
পথাৰত এজোপাও গছ-গছনি নাথাকিল। ১৬ তেতিয়া ফৰৌণে মোচি
আৰু হাৰোণক বেগাই মাতি আনি কলে, "মই তোমালোকৰ ঈশ্বৰ
যিহোৱা আৰু তোমালোকৰ বিৰুদ্ধে পাপ কৰিলোঁ। ১৭ এতেকে বিনয়
কৰোঁ, এইবাৰৰ বাবে মোৰ পাপ ক্ষমা কৰা, আৰু তোমালোকৰ ঈশ্বৰ
যিহোৱাৰ আগত প্ৰাৰ্থনা কৰা, যাতে তেওঁ মোৰ পৰা এই মৃত্যুদায়ক

কষ্ট আঁতৰায়।” ১৮ তেতিয়া মোচিয়ে ফৰৌণৰ ওচৰৰ পৰা বাহিৰলৈ
গ'ল; আৰু যিহোৱাৰ আগত প্ৰাৰ্থনা কৰিলে। ১৯ যিহোৱাই পশ্চিম
ফালৰ পৰা অতি প্ৰবল বতাহ বোৱাই আনিলে; তাতে সেই বতাহে
ফৰিংবোৰ উৰোৱাই নি চূফ সাগৰত পেলাই দিলে। সমগ্ৰ মিচৰ দেশৰ
কোনো অঞ্চলতে এটাও ফৰিং অৱশিষ্ট নাথাকিল। ২০ কিন্তু যিহোৱাই
ফৰৌণৰ মন কঠিন কৰিলে, তাতে তেওঁ ইস্ৰায়েলৰ লোকসকলক
যাবলৈ নিদিলে। ২১ তাৰ পাছত যিহোৱাই মোচিক ক'লে, “সমগ্ৰ মিচৰ
দেশ অন্ধকাৰময় হ'বলৈ, তুমি আকাশৰ ফাললৈ হাত মেলা; তাতে
সেই আন্ধাৰে সমগ্ৰ দেশ গ্ৰাস কৰিব।” ২২ তেতিয়া মোচিয়ে আকাশৰ
ফাললৈ হাত মেলিলে, আৰু সমগ্ৰ মিচৰ দেশ তিনি দিনলৈকে ঘোৰ
অন্ধকাৰময় হ'ল। ২৩ কোনেও ইজনে সিজনক দেখা নাপালে, আৰু
তিনি দিনলৈকে কোনেও নিজৰ ঘৰৰ পৰা নোলাল। অৱশ্যে ইস্ৰায়েলী
লোকসকল বাস কৰা ঠাইত পোহৰ হৈ আছিল। ২৪ তেতিয়া ফৰৌণে
মোচিক মাতি আনি ক'লে, “তোমালোক যোৱা, যিহোৱাৰ আৰধনা
কৰা গৈ। এনেকি তোমালোকৰ পৰিয়াল বৰ্গও লগত যাব পাৰিব, কিন্তু
তোমালোকৰ মেৰ-ছাগ, ছাগলী, আৰু গৰুৰ জাকবোৰ ইয়াতেই থাকিব
লাগিব।” ২৫ কিন্তু মোচিয়ে ক'লে, “আমাৰ ঈশ্বৰ যিহোৱাৰ উদ্দেশ্যে
বলিদান কৰিবলৈ আৰু হোম বলিৰ অৰ্থে আপুনি আমাৰ লগত জীৱ
জন্তুবোৰো দিবই লাগিব।” ২৬ আমাৰ লগত আমাৰ পশুবোৰো নিশ্চয়
যাব; আমাৰ ঈশ্বৰ যিহোৱাৰ আৰধনা কৰিবলৈ আমাৰ পশুবোৰৰ এটা
খুৰাও ইয়াত নাথাকিব। কাৰণ আমি কিহেৰে যিহোৱাৰ আৰাধনা
কৰিম, সেই বিষয়ে আমি সেই ঠাই নোপোৱালৈকে নাজানো।” ২৭
কিন্তু যিহোৱাই ফৰৌণৰ মন কঠিন কৰিলে, তাতে তেওঁ তেওঁলোকক
যাবলৈ নিদিলে। ২৮ তেতিয়া ফৰৌণে মোচিক ক'লে, “মোৰ সন্মুখৰ
পৰা গুচি যোৱা। এটা বিষয়ত সাৱধান হবা, মোৰ মুখ পুনৰ চাব
নিবিচাৰিব; কিয়নো যি দিনাই মোৰ মুখ চাবা, সেই দিনাই তোমাৰ
মৃত্যু হ'ব।” ২৯ তেতিয়া মোচিয়ে ক'লে, “আপুনি নিজেই কৈছে; মই
আপোনাৰ মুখ পুনৰ নাচাও।”

১১ যিহোৱাই মোচিক ক'লে, "মই ফৰৌণ আৰু মিচৰ দেশৰ ওপৰত
আন এক মহামাৰি আনিম। তাৰ পাছত তেওঁ তোমালোকক ইয়াৰ
পৰা যাবলৈ এৰি দিব। আৰু অৱশেষত তেওঁ যেতিয়া তোমালোকক
যাবলৈ দিব, তেতিয়া তেওঁ তোমালোকৰ সকলোকে ইয়াৰ পৰা
খেদি পঠিয়াব। ২ সেয়ে, প্ৰতিজন পুৰুষ আৰু মহিলাক নিজৰ নিজৰ
ওচৰ-চুবুৰীয়াৰ পৰা তেওঁলোকৰ ৰূপ আৰু সোণৰ অলঙ্কাৰবোৰ খুজি
ল'বলৈ নিৰ্দেশ দিয়া।" ৩ যিহোৱাই মিচৰীয়া লোকসকলক ইস্ৰায়েলী
লোকসকললৈ অনুগ্ৰহ কৰিবলৈ আগ্ৰহী কৰালে। অৱশ্যে মিচৰ দেশত
মোচি, ফৰৌণৰ দাস আৰু লোকসকলৰ দৃষ্টিত অতি আকৰ্ষণীয় পুৰুষ
আছিল। ৪ মোচিয়ে ক'লে, "যিহোৱাই এই কথা কৈছে, 'মই মাজ
নিশামানত মিচৰ দেশৰ মাজেৰে যাম। ৫ তেতিয়া মিচৰ দেশৰ
সকলো প্ৰথম পুত্ৰৰ মৃত্যু হ'ব। সিংহাসনত বহা ৰজা ফৰৌণৰ প্ৰথম
পুত্ৰৰ পৰা জাঁত ঘৰুৱা দাসীৰ প্ৰথম পুত্ৰলৈকে, আৰু মিচৰ দেশত থকা
সকলো প্ৰথমে জন্মা পশুবোৰৰো মৃত্যু হ'ব। ৬ তেতিয়া সমগ্ৰ মিচৰ
দেশত এনে ক্ৰন্দন হ'ব যে, তেনে ক্ৰন্দন কেতিয়াও হোৱা নাছিল, আৰু
পুনৰ কেতিয়াও নহ'ব। ৭ কিন্তু যিহোৱাই যে মিচৰীয়া আৰু ইস্ৰায়েলী
লোকসকলৰ মাজত প্ৰভেদ কৰে, ইয়াক যেন আপোনালোকে জানিব
পাৰে, সেই বাবে ইস্ৰায়েলী লোকসকল হওক বা তেওঁলোকৰ পশুৱেই
হওক, তেওঁলোকৰ অহিতে এটা কুকুৰেও নুভুকিব।' ৮ ফৌৰণ,
আপোনাৰ সকলো দাস সকল মোৰ ওচৰলৈ নামি আহি মোৰ আগত
প্ৰণিপাত কৰিব। তেওঁলোকে ক'ব, 'আপুনি আৰু আপোনাক অনুসৰণ
কৰা লোকসকল ওলাই যাওক!' তাৰ পাছতহে মই বাহিৰলৈ ওলাই
যাম।" এই বুলি তেওঁ বৰ ক্ৰোধেৰে ফৰৌণৰ ওচৰৰ পৰা ওলাই
আহিল। ৯ যিহোৱাই মোচিক কৈছিল, "মোৰ অদ্ভুত লক্ষণ যেন মিচৰ
দেশত অধিককৈ দেখুউৱাব পাৰোঁ, সেই বাবে ফৰৌণে তোমাৰ
কথা নুশুনিব।" ১০ মোচি আৰু হাৰোণে ফৰৌণৰ সাক্ষাতে সেই
সকলো অদ্ভুত লক্ষণ দেখুৱাইছিল। কিন্তু যিহোৱাই ফৰৌণৰ মন কঠিন
কৰিছিল, সেই বাবে তেওঁ নিজৰ দেশৰ পৰা ইস্ৰায়েলী লোকসকলক
যাবলৈ এৰি নিদিলে।

১২ যিহোৱাই মিচৰ দেশত মোচি আৰু হাৰোণৰ সৈতে কথা পাতিলে।
তেওঁ ক'লে, ২ "এই মাহেই তোমালোকৰ বাবে মাহৰ আৰম্ভণি
হ'ব; আৰু এই মাহ তোমালোকৰ কাৰণে বছৰৰ প্ৰথম মাহ। ৩
তোমালোক সমবেত হোৱা আৰু ইস্ৰায়েলী লোকসকলক কোৱা, 'এই
মাহৰ দশম দিনা তেওঁলোক প্ৰত্যেকে নিজৰ বাবে এটাকৈ মেৰ-
ছাগ পোৱালি বা ছাগলী পোৱালি ল'ব। প্ৰত্যেক পৰিয়ালে এইদৰে
পৰিয়ালবৰ্গৰ বাবে এটা মেৰ-ছাগ পোৱালি ল'ব। ৪ সেই মেৰ-ছাগ
পোৱালি ভোজন কৰিবলৈ যদি পৰিয়ালৰ মানুহ তাকৰ হয়, তেনেহলে
তেওঁ আৰু তেওঁৰ ওচৰ-চুবুৰীয়াৰ সদস্যৰ সংখ্যা অনুসাৰে এটা মেৰ-
ছাগ পোৱালি বা ছাগলীৰ মাংস প্ৰত্যেক মানুহলৈ জোৰাকৈ লওক।
প্ৰত্যেক মানুহে খাব পৰা শক্তি অনুসাৰে সেই মাংস যাতে হয়। ৫
তোমালোকৰ সেই মেৰ-ছাগ বা ছাগলী পোৱালি এবছৰীয়া আৰু
নিৰ্ঘূণী মতা পোৱালি হ'ব লাগিব। তোমালোকে তাক মেৰ-ছাগ বা
ছাগলীবোৰৰ জাকৰ মাজৰ পৰা ল'বা। ৬ তোমালোকে এই মাহৰ
চৌদ্ধ দিনলৈকে তাক ৰাখিবা; তাৰ পাছত সমবেত ইস্ৰায়েলী সকলো
লোকে গধূলি পৰত তাক বধ কৰিবা। ৭ তোমালোকে তাৰ কিছু তেজ
লৈ, যি ঘৰবোৰত মাংস ভোজন কৰা হ'ব, সেই ঘৰবোৰৰ দুৱাৰৰ
চৌকাঠৰ দুই দাঁতিত, আৰু ওপৰতো লগাবা। ৮ সেই ৰাতিয়েই
তোমালোকে প্ৰথমে জুইত খৰিকাত দি সেই মাংস খমীৰ নিদিয়া পিঠা
আৰু তিতা শাকেৰে সৈতে ভোজন কৰিবা। ৯ তোমালোকে তাক
কেঁচাই, নাইবা পানীত সিজায়ো নাখাবা; তাৰ পৰিৱৰ্তে মুৰ, ঠেং, আৰু
তাৰ ভিতৰত থকা অংশই সৈতে জুইত খৰিকাত দিহে খাবা। ১০
ৰাতিপুৱালৈ তাৰ অলপো অৱশিষ্ট নাৰাখিবা। কিন্তু ৰাতিপুৱালৈ যি
অৱশিষ্ট থাকিব, তাক তোমালোকে জুইত পুৰি ভস্ম কৰি দিবা। ১১
তোমালোকে টঙালিৰে কঁকাল বান্ধি, জোতা পিন্ধি, আৰু হাতত লাখুটি
লৈ, বেগাবেগিকৈ তাক ভোজন কৰিবা। সেয়ে যিহোৱাৰ নিস্তাৰ-
পৰ্ব্ব। ১২ যিহোৱাই এই কথা কৈছে: 'মই সেই ৰাতিয়েই মিচৰ দেশৰ
মাজেদি গৈ, মিচৰ দেশত প্ৰথমে জন্ম হোৱা মানুহ বা পশুৱেই হওক,
সকলোকে সংহাৰ কৰিম। মিচৰীয়াসকলৰ সকলো দেৱতাকে মই দণ্ড

দিম। মই যিহোৱা। ১৩ তোমালোকে যিবোৰ ঘৰত থাকা, সেইবোৰ ঘৰত সেই তেজেই তোমালোকৰ চিন হ'ব; মই যেতিয়া মিচৰ দেশ মই আক্ৰমণ কৰিম, তেতিয়া সেই তেজ দেখি, মই তোমালোকক অতিক্ৰম কৰি এৰি থৈ যাম। এই মহামাৰিয়ে তোমালোকক স্পৰ্শ নকৰিব আৰু তোমালোকক বিনষ্ট নকৰিব। ১৪ এই দিন সোঁৱৰণীয় দিন হ'ব; আৰু তোমালোকে এই দিন যিহোৱাৰ বাবে উৎসৱৰ দিন বুলি নিশ্চয়কৈ পালন কৰিবা। এই দিন পালন কৰাটো তোমালোকৰ বাবে এটা বিধান হ'ব, পুৰুষানুক্ৰমে চিৰস্থায়ী বিধিমতে এই দিন তোমালোকে পালন কৰিব লাগিব। ১৫ তোমালোকে সাত দিন খমীৰ নিদিয়া পিঠা ভোজন কৰিবা। প্ৰথম দিনাই তোমালোকে নিজৰ ঘৰৰ পৰা খমীৰ দূৰ কৰিবা। কিয়নো যি কোনোৱে প্ৰথম দিনৰ পৰা সপ্তম দিনলৈকে খমীৰ দিয়া পিঠা খাব, তেওঁক ইস্ৰায়েলৰ পৰা উচ্ছন্ন কৰা হ'ব। ১৬ প্ৰথম দিনা লোক সকল সমবেত হৈ মোৰ উদ্দেশ্যে পবিত্ৰকৃত হ'ব, আৰু সপ্তম দিনাও সেই একেদৰে লোকসকল সমবেত হ'ব। সেই দিনবোৰত কোনো কাম কৰা নহব, কেৱল প্ৰত্যেকে খাব পৰাকৈ ৰন্ধা কাম কৰিব। ১৭ এইদৰে তোমালোকে খমীৰ নিদিয়া পিঠাৰ পৰ্ব্ব পালন কৰিবা; কিয়নো সেই দিনাই মই তোমালোকৰ লোক সকলক, সৈন্যৰ দলক মিচৰ দেশৰ পৰা বাহিৰ কৰি অনিছিলো। এতেকে তোমালোকে পুৰুষানুক্ৰমে চিৰস্থায়ী বিধিমতে সেই দিন পালন কৰিবা। ১৮ তোমালোকে বছৰৰ প্ৰথম মাহৰ চৌদ্ধ দিনৰ গধুলিৰে পৰা একৈশ দিনৰ গধুলিলৈকে খমীৰ নিদিয়া পিঠাহে ভোজন কৰিবা। ১৯ এই সাত দিনলৈকে তোমালোকৰ ঘৰবোৰত খমিৰ পোৱা নাযাব। কাৰণ বিদেশী হওক, বা স্বদেশীয়েই হওক, যি কোনোৱে খমিৰ দিয়া বস্তু খাব, তেওঁক ইস্ৰায়েলৰ সমাজৰ পৰা উচ্ছন্ন কৰা হ'ব। ২০ তোমালোকে খমিৰ দিয়া কোনো বস্তুৱেই নাখাবা। তোমালোকে যি ঠাইতে বাস কৰা সেই সকলো ঠাইত, খমীৰ নিদিয়া পিঠাহে খাবা'।" ২১ তেতিয়া মোচিয়ে ইস্ৰায়েলৰ সকলো পৰিচাৰকক মাতি আনিলে আৰু তেওঁলোকক ক'লে, তোমালোকে নিজৰ নিজৰ পৰিয়ালৰ লোকক পৰ্যাপ্ত পৰিমাণে খোৱাবলৈ ভেৰাৰ জাকৰ পৰা পোৱালি বাছি লবা আৰু নিস্তাৰ-পৰ্ব্বৰ

বলিৰ বাবে তাক কাটিবা। ২২ তাৰ পাছত এচোব বন একোচা লৈ,
পাত্রটোত থকা তেজত জুবুৰিয়াবা। সেই তেজ পাত্রৰ পৰা লৈ দুৱাৰৰ
চৌকাঠৰ ওপৰত আৰু দুই দাঁতিৰ কাঠত লগাবা। ৰাতিপুৱালৈকে
তোমালোকৰ কোনেও নিজৰ নিজৰ ঘৰৰ দুৱাৰৰ বাহিৰ নহবা।
২৩ কিয়নো যিহোৱাই মিচৰীয়া সকলক আক্ৰমণ কৰিবৰ বাবে,
তোমালোকৰ ওচৰেদি গমন কৰিব। যেতিয়া তেওঁ দুৱাৰৰ চৌকাঠৰ
ওপৰত, আৰু চৌকাঠৰ দুই দাঁতিত সেই তেজ দেখিব, তেতিয়া
যিহোৱাই সেই দুৱাৰ এৰি যাব, আৰু তোমালোকক আক্ৰমণ কৰিবৰ
বাবে, আপোনালোকৰ ঘৰত আক্ৰমণকাৰীক সোমাবলৈ নিদিব।
২৪ তোমালোকে আৰু তোমালোকৰ সন্তান সকলেও চিৰকাললৈকে
পালন কৰিবলগীয়া বিধি বুলি, এই ৰীতি পালন কৰি থাকিব। ২৫
যিহোৱাই নিজৰ প্রতিজ্ঞাৰ দৰে তোমালোকক যি দেশ দিব, সেই
দেশত যেতিয়া তোমালোক সোমাবা, তেতিয়াও তোমালোকে এই
উপসনাৰ কাৰ্য কৰি থাকিব। ২৬ যেতিয়া তোমালোকৰ সন্তান সকলে
সুধিব “এই উপসনাৰ অৰ্থ কি,” ২৭ তেতিয়া তোমালোকে ক’বা,
‘যিহোৱাই মিচৰীয়ালোকক আক্ৰমণ কৰোঁতে মিচৰত থকা ইস্রায়েলৰ
লোকসকলৰ ঘৰবোৰ এৰি থৈ গৈছিল, এই দৰেই তেওঁ ইস্রায়েলৰ
ঘৰবোৰ নিস্তাৰ কৰিছিল, সেইয়ে যিহোৱাৰ উদ্দেশে কৰা এয়ে নিস্তাৰ-
পৰ্ব্বৰ বলিদান’।” তেতিয়া লোকসকলে মূৰ দোঁৱাই যিহোৱাৰ আৰাধনা
কৰিলে। ২৮ ইস্রায়েলৰ লোকসকলে সেয়ে যিহোৱাই মোচি আৰু
হাৰোণক দিয়া আজ্ঞাৰ দৰেই কৰিলে। ২৯ মাজ নিশা সিংহাসনত বহা
ফৰৌণৰ জেষ্ঠ পুত্রৰ পৰা বন্দীশালত থকা লোকৰ বৰ পুত্রলৈকে মিচৰ
দেশত প্ৰথমে জন্মা সকলোলোক আৰু পশুবোৰৰ প্ৰথমে জন্মাবোৰকো
আক্ৰমণ কৰিলে। ৩০ সেয়ে ফৰৌণ, তেওঁৰ দাসবোৰ আৰু মিচৰৰ
সকলোলোক ৰাতিয়েই উঠিল। মিচৰত সেয়ে মহাক্ৰন্দন হ’ল; কাৰণ
এনে এটা ঘৰ নাছিল য’ত প্ৰথমা জন্মা পুএৰ মৃত্যু হোৱা নাছিল।
৩১ ৰাতিয়েই ফৰৌণে মোচি আৰু হাৰোণক মাতি আনি ক’লে, “উঠা,
তোমালোক আৰু ইস্রায়েলৰ সকলো লোক মোৰ প্ৰজাসকলৰ মাজৰ
পৰা বাহিৰ হৈ যোৱা। তোমালোকে কোৱাৰ দৰেই যিহোৱাৰ আৰধনা

কৰা। ৩২ তোমালোকে কোৱাৰ দৰেই নিজৰ নিজৰ ভেৰা, ছাগলী, আৰু তোমালোকৰ জাকবোৰকো লৈ যোৱা; আৰু মোকো আশীৰ্ব্বাদ কৰি যোৱা।” ৩৩ তেতিয়া মিচৰীয়া লোকসকলে শীঘ্ৰে ইস্ৰায়েলী লোকসকলক দেশৰ পৰা পঠাবৰ বাবে ততাতৈয়া লগালে; কাৰণ তেওঁলোকে ক’লে, “আমি সকলো মৃত লোক।” ৩৪ সেয়ে লোকসকলে খমীৰ নিদিয়াকৈ নিজৰ নিজৰ আটাগুড়ি ল’লে। তেওঁলোকে নিজৰ নিজৰ সনা পাত্ৰ গাৰ কাপোৰত বান্ধিলৈ, নিজৰ নিজৰ কান্ধত ল’লে।
৩৫ তাৰ পাছত ইস্ৰায়েলৰ লোকসকলে মোচিয়ে কোৱাৰ দৰেই কৰিলে। তেওঁলোকে মিচৰীয়া লোকসকলৰ পৰা সোণ আৰু ৰূপৰ অলঙ্কাৰ, আৰু বস্ত্ৰও খুজি ল’লে। ৩৬ যিহোৱাই মিচৰীয়া লোকসকলৰ আগত ইস্ৰায়েলী লোকসকলক অনুগ্ৰহপ্ৰাপ্ত কৰিলে। সেয়ে তেওঁলোকে খোজাৰ দৰেই তেওঁলোকক দিলে; এইদৰে তেওঁলোকে মিচৰীয়ালোক সকলক লুট কৰিলে। ৩৭ ইস্ৰায়েলী লোকসকল ৰামিচেচৰ পৰা চুক্কোতলৈ যাত্ৰা কৰি গ’ল। মহিলা আৰু সন্তানৰ ওপৰিও তেওঁলোকৰ ছয় লাখমান পদাতিক পুৰুষ আছিল। ৩৮ ইয়াৰ উপৰিও অনা ইস্ৰায়েলী বহুলোক, তেওঁলোকৰ ভেৰা, ছাগলী আদি কৰি বহুতো পশুৰে সৈতে তেওঁলোকৰ লগত গৈছিল। ৩৯ তাৰ পাছত, তেওঁলোকে মিচৰৰ পৰা অনা খমীৰ নিদিয়া আটাগুড়িৰে পিঠা যুগুত কৰিলে। সেইবোৰত খমীৰ দিয়া নাছিল, কাৰণ তেওঁলোকক মিচৰৰ পৰা খেদাই দিয়া হ’ল, সেয়ে খোৱা যুগুত কৰিবৰ কাৰণে তেওঁলোকে পলম কৰিব নোৱাৰিলে। ৪০ ইস্ৰায়েলী লোকসকল মিচৰ দেশত প্ৰবাসী হৈ চাৰিশ ত্ৰিশ বছৰ আছিল। ৪১ চাৰিশ ত্ৰিশ বছৰৰ শেষৰ দিনা, যিহোৱাৰ বাহিনীৰ সকলো দল মিচৰ দেশৰ পৰা বাহিৰ হৈ আহিছিল। ৪২
যিহোৱাই মিচৰ দেশৰ পৰা তেওঁলোকক বাহিৰ কৰি অনাৰ কাৰণে, সেই ৰাতি তেওঁলোক সজাগ হৈ আছিল। সেই ৰাতি যিহোৱাৰ উদ্দেশে পালন কৰা ৰাতি বুলি ইস্ৰায়েলৰ সকলো লোকে পুৰুষানুক্ৰমে পালন কৰে। ৪৩ যিহোৱাই মোচি আৰু হাৰোণক ক’লে, “নিস্তাৰ-পৰ্ব্বৰ বলিৰ বিধি এই: কোনো বিদেশী লোকে ইয়াক ভোজন কৰিব নোৱাৰিব। ৪৪
অৱশ্যে ইস্ৰায়েলী লোকৰ প্ৰতিজন ধন দি কিনা বন্দীক যদি চুন্নৎ কৰা

হৈছে, তেতিয়া তেৰোঁ ভোজন কৰিব পাৰিব। ৪৫ কিন্তু বিদেশী সকল
আৰু ভাড়া কৰি অনা দাস সকলে ইয়াক খাব নোৱাৰিব। ৪৬ আহাৰ
একেটা ঘৰতে ভোজন কৰিবই লাগিব। সেই মাংসৰ অলপো ঘৰৰ
বাহিৰলৈ নিনিবা, আৰু তাৰ এডাল হাড়ো নেভাঙিবা। ৪৭ ইস্রায়েলৰ
গোটেই সমাজে তাক পালন কৰিব। ৪৮ তোমাৰ লগত বাস কৰা
কোনো বিদেশী লোকে যদি যিহোৱাৰ নিস্তাৰ-পৰ্ব্ব পালন কৰিব
খোজে, তেন্তে তেওঁৰ পৰিয়ালৰ সকলো পুৰুষে চুন্নৎ কৰিব লাগিব।
তেতিয়াহে তেওঁ আহি তাক পালন কৰিব পাৰিব। তেওঁ দেশত জন্ম
হোৱা লোকৰ নিচিনা হ'ব। অৱশ্যে চুন্নৎ নোহোৱা কোনো লোকে
ইয়াক ভোজন কৰিব নালাগে।" ৪৯ দেশত জন্ম হোৱা লোকৰ বাবে,
আৰু তোমালোকৰ মাজত বাস কৰা বিদেশী লোকৰ কাৰণেও একেটা
বিধিয়েই হ'ব। ৫০ সেয়ে ইস্রায়েলৰ সকলো লোকে যিহোৱাই মোচি
আৰু হাৰোণক দিয়া আজ্ঞাৰ দৰেই কৰিলে। ৫১ এইদৰে যিহোৱাই
সেই দিনাই ইস্রায়েলৰ লোক সকলক সৈন্যৰ দলেৰে সৈতে মিচৰ
দেশৰ পৰা বাহিৰ কৰি আনিলে।

**১৩** যিহোৱাই মোচিৰ সৈতে কথা পাতি ক'লে, ২ "ইস্রায়েলৰ লোক
সকলৰ মানুহৰেই হওক বা পশুৰেই হওক, সকলো প্ৰথম গৰ্ভফল
মোৰ উদ্দেশে উৎসৰ্গ কৰা। প্ৰথমে জন্মা সকলো মোৰেই।" ৩
মোচিয়ে লোকসকলক ক'লে, "তোমালোকে বন্দী-ঘৰস্বৰূপ মিচৰৰ
পৰা ওলাই অহা এই দিন সোঁৱৰণ কৰিবা; কাৰণ যিহোৱাই তেওঁৰ
বাহু-বলেৰে আপোনালোকক সেই ঠাইৰ পৰা উলিয়াই আনিলে।
খমীৰ দিয়া পিঠা আৰু ভোজন কৰা নহব। ৪ আবীব মাহৰ এই
দিনাই তোমালোক মিচৰ দেশৰ পৰা বাহিৰ হৈ আহিলা। ৫ কনানীয়া,
হিত্তীয়া, ইমোৰীয়া, হিব্বীয়া আৰু যিবুচীয়া লোকসকলৰ যি দেশ
তোমালোকক দিবলৈ, যিহোৱাই তোমালোকৰ পূৰ্বপুৰুষ সকলৰ আগত
প্ৰতিজ্ঞা কৰিছিল, সেই গাখীৰ আৰু মৌ বৈ থকা দেশত, যেতিয়া তেওঁ
তোমালোকক সুমুৱাব, তেতিয়া তোমালোকে এই মাহত যিহোৱাৰ
উদ্দেশ্যে আৰাধনাৰ কাৰ্য কৰিবা। ৬ সাত দিনলৈকে খমীৰ নিদিয়া
পিঠা ভোজন কৰিবা; আৰু সপ্তম দিনটো যিহোৱাৰ উদ্দেশ্যে উৎসৱৰ

দিন হ'ব। ৭ সেই সাত দিন নিশ্চয়কৈ খমীৰ নিদিয়া পিঠা ভোজন কৰিব লাগিব; তোমালোকৰ মাজত খমীৰ দিয়া কোনো পিঠা যাতে দেখা পোৱা নাযাওক। এনেকি তোমালোকৰ চাৰিও সীমাৰ ভিতৰতো খমীৰ দেখা পোৱা নাযাওক। ৮ সেই দিনা তোমালোকে আপোনালোকৰ সন্তান সকলক ক'বা, 'যেতিয়া মিচৰৰ পৰা আমি ওলাই আহিলোঁ, তেতিয়া যিহোৱাই আমাৰ বাবে যি কৰিছিল, সেই কাৰ্যৰ কাৰণে এইদৰে কৰা হৈছে।' ৯ এয়ে উদ্ধাৰ সোঁৱৰণৰ বাবে তোমালোকৰ হাত আৰু কপালত থাকক। যিহোৱাৰ ব্যৱস্থা তোমালোকৰ কথাত থাকক, কিয়নো তোমালোকৰ হাত, আৰু কপালত এই মুক্তি সোঁৱৰণীয় হৈ থাকিব। কিয়নো যিহোৱাই বাহুবলেৰে মিচৰৰ পৰা তোমালোকক বাহিৰ কৰি আনিলে। ১০ এই হেতুকে তোমালোকে প্ৰত্যেক বছৰে এই সময়ত, এই বিধি পালন কৰিবা। ১১ যিহোৱাই তোমাক আৰু তোমালোকৰ পূৰ্বপুৰুষ সকলক দিয়া প্ৰতিজ্ঞা অনুসাৰে, যেতিয়া তোমাক কনানীয়া সকলৰ দেশত আনি সোমুৱাব, ১২ তেতিয়া তোমালোকৰ প্ৰত্যেকৰে প্ৰথমে জন্ম হোৱা সন্তান আৰু তোমালোকৰ জীৱ জন্তুৰ প্ৰথমে জন্মা পশু যিহোৱাৰ উদ্দেশ্যে পৃথক কৰিবা। প্ৰথমে জন্মা সকলো পুৰুষ আৰু মতাপশু যিহোৱাৰ হ'ব। ১৩ প্ৰত্যেক প্ৰথমে জন্মা গাধ এটা মেৰ-ছাগ পোৱালি দি মুক্ত কৰিব। যদি মুক্ত নকৰে, তেন্তে তাৰ ডিঙি ভাঙিব; কিন্তু তোমালোকৰ পুত্ৰসকলৰ মাজত প্ৰথমে জন্মা পুত্ৰ তোমালোকে নিশ্চয় কিনি মুক্ত কৰিব লাগিব।" ১৪ পাছত তোমালোকৰ পুত্ৰই যেতিয়া 'ইয়াৰ অৰ্থ কি' বুলি সুধিব?' তেতিয়া তুমি তাক ক'বা যে, "যিহোৱাই বাহুবলেৰে মিচৰৰ বন্দী ঘৰৰ পৰা আমাক উলিয়াই আনিলে। ১৫ যেতিয়া ফৰৌণে আমাক এৰি দিবলৈ মন কঠিন কৰিলে, তেতিয়া যিহোৱাই মিচৰ দেশত, মানুহৰ প্ৰথমে জন্মা পুত্ৰ আৰু পশুৰ প্ৰথমে জগা মতাপশু সকলোকে বধ কৰিলে। এই হেতুকে, মই পশুবোৰৰ প্ৰথমে জন্মা মতা পশু যিহোৱাৰ উদ্দেশ্যে বলিদান কৰোঁ; সেই বাবে মই মোৰ প্ৰথমে জন্মা পুত্ৰক কিনি লৈ মুক্ত কৰোঁ।' ১৬ এয়ে তোমালোকৰ হাত, আৰু কপালত সোঁৱৰণী স্বৰূপে থাকিব। কিয়নো যিহোৱাই বাহুবলেৰে আমাক মিচৰৰ পৰা বাহিৰ

কৰি আনিলে।” ১৭ ফৰৌণে যেতিয়া লোকসকলক যাবলৈ এৰি দিলে,
তেতিয়া পলেষ্টীয়াসকলৰ দেশেৰে বাট চমু আছিল যদিও, ঈশ্বৰে
তেওঁলোকক সেই বাটেদি নিনিলে। কিয়নো ঈশ্বৰে ক'লে, “হয়তো
যুদ্ধৰ সন্মুখিন হ'লে লোকসকলে মন সলনি কৰি মিচৰলৈ উভটি যাব।”
১৮ সেয়ে ঈশ্বৰে লোকসকলক মৰুভুমিৰ মাজেৰে চূফ সাগৰলৈকে
লৈ গ'ল। ইস্রায়েলী লোক সকলে যুদ্ধৰ বাবে সুসজ্জিত হৈ মিচৰ
দেশৰ পৰা ওলাই গ'ল। ১৯ মোচিয়ে যোচেফৰ অস্থিকো নিজৰ লগত
ল'লে; কিয়নো যোচেফে ইস্রায়েলী লোকসকলক শপত খুৱাই কৈছিল,
“ঈশ্বৰে আপোনালোকক নিশ্চয় উদ্ধাৰ কৰিব আৰু আপোনালোকে
তেতিয়া মোৰ অস্থিক আপোনালোকৰ লগত লৈ যাব।” ২০ ইস্রায়েলী
লোকসকলে চুক্কোতৰ পৰা যাত্রা কৰি, মৰুপ্রান্তৰ দাঁতিত থকা এথমত
তম্বু তৰিলে। ২১ তেওঁলোকে দিনে-ৰাতিয়ে যাত্রা কৰিবলৈ যিহোৱাই
দিনত তেওঁলোকক মেঘ-স্তম্ভ, আৰু ৰাতি পোহৰ দিবলৈ অগ্নি-স্তম্ভৰে
তেওঁলোকৰ আগে আগে গৈছিল। ২২ যিহোৱাই লোকসকলৰ আগৰ
পৰা দিনত মেঘ-স্তম্ভ, আৰু ৰাতি অগ্নিস্তম্ভ আঁতৰ নকৰিলে।

**১৪** তাৰ পাছত যিহোৱাই মোচিক ক'লে: ২ “ইস্রায়েলী লোক সকলক
কোৱা যে, তেওঁলোক ঘূৰি বাল-চফোনৰ সন্মুখত, মিগদোল আৰু
সাগৰৰ মাজত, পী-হহীৰোতৰ আগত তম্বু তৰিব। তোমালোকে পী-
হহীৰতৰ বিপৰীতে থকা সাগৰৰ দাঁতিত তম্বু তৰিবা। ৩ ফৰৌণে
ইস্রায়েলী লোকসকলৰ বিষয়ে এই দৰে ক'ব, ‘তেওঁলোকে দেশৰ
মাজত বিচৰণ কৰি ফুৰিছে, আৰু তেওঁলোক মৰুভূমিত আৱদ্ধ হৈ
আছে।’ ৪ মই ফৰৌণৰ মন কঠিন কৰিম; আৰু তেওঁ তেওঁলোকৰ
পাছে পাছে খেদি আহিব। মই ফৰৌণৰ আৰু তেওঁৰ সকলো সৈন্য
সমূহৰ বাবে গৌৰৱান্বিত হ'ম। মিচৰীয়া সকলে জানিব যে, মই
যিহোৱা।” সেয়ে ইস্রায়েলী লোক সকলে তেওঁলোকক নিৰ্দেশ দিয়াৰ
দৰে তম্বু তৰিলে। ৫ ইস্রায়েলী লোকসকল পলাই গ'ল বুলি মিচৰৰ
ৰজাক জনোৱাৰ পাছত ফৰৌণ আৰু তেওঁৰ দাসবোৰৰ মন ইস্রায়েলী
লোকসকলৰ বিৰুদ্ধে হ'ল। তেওঁলোকে ক'লে, “আমাৰ বন্দীকামৰ
পৰা ইস্রায়েলী লোকসকলক এৰি দি আমি কি কাম কৰিলোঁ?” ৬

তেতিয়া ফৌৰণে নিজৰ ৰথ সাজু কৰিলে, আৰু নিজৰ সৈন্য সকলক
তেওঁৰ লগত ল'লে। ৭ তেওঁ মনোনীত ছশ ৰথ, আৰু মিচৰৰ আন
সকলো ৰথ, আৰু সেই সকলোবোৰৰ ওপৰত নিযুক্ত সেনাপতি
সকলকো ল'লে। ৮ যিহোৱাই মিচৰৰ ৰজা ফৰৌণৰ মন কঠিন কৰিলে,
তাতে তেওঁ ইস্ৰায়েলী লোকসকলৰ পাছে পাছে খেদি গ'ল। তেতিয়া
ইস্ৰায়েলী লোকসকলে যিহোৱাৰ জয়ধ্বনি কৰি ওলাই গৈছিল। ৯
কিন্তু মিচৰীয়া লোক সকলে ঘোঁৰা, ৰথ, অশ্বাৰোহী, আৰু সৈন্যৰ
সৈতে তেওঁলোকৰ পাছে পাছে খেদি গ'ল। বাল-চফোনৰ সন্মুখত
পী-হহীৰোতৰ ওচৰৰ সাগৰৰ দাঁতিত ইস্ৰায়েলী লোকসকলে তম্বু
তৰি থকা ঠাইত, তেওঁলোকে আগচি ধৰিলে। ১০ ফৰৌণ যেতিয়া
ওচৰ চাপি আহিল, তেতিয়া ইস্ৰায়েলী লোকসকলে তেওঁলোকক চাই
আচৰিত হ'ল। তেওঁলোকৰ পাছে পাছে মিচৰীয়া সকল আহি আছিল;
তাতে ইস্ৰায়েলী লোকসকলে অতিশয় ভয় কৰি যিহোৱাৰ আগত
কাতৰোক্তি কৰিলে। ১১ তেওঁলোকে মোচিক ক'লে, "মিচৰত মৈদাম
নাই নে যে, আমি মৰুভূমিত মৰিবলৈ, আপুনি আমাক ইয়ালৈ আনিলে?
আপুনি আমাক মিচৰৰ পৰা উলিয়াই আনি, আমালৈ কিয় এনেকুৱা
ব্যৱহাৰ কৰিছে? ১২ আমি মিচৰতে আপোনাক এই কথা কোৱা
নাছিলোঁ নে? আমি আপোনাক কৈছিলোঁ, 'আমাক মিচৰীয়া সকলৰ
বন্দীকাম কৰিবলৈ অকলে এৰি দিয়ক? কিয়নো মৰুভূমিত মৰাতকৈ
মিচৰীয়া সকলৰ বন্দীকাম কৰাই আমাৰ পক্ষে ভাল আছিল।'" ১৩
মোচিয়ে লোকসকলক ক'লে, "ভয় নকৰিবা। নিৰৱে থাকা; আৰু চাওক,
যিহোৱাই আজি তোমালোকলৈ পৰিত্ৰাণৰ কাৰ্য সিদ্ধ কৰিব। কাৰণ
যি মিচৰীয়া সকলক আজি তোমালোকে দেখিছা, তেওঁলোকক পুনৰ
কেতিয়াও নেদেখিবা। ১৪ যিহোৱাই তোমালোকৰ বাবে যুদ্ধ কৰিব;
আৰু আপোনালোক কেৱল নিৰৱে থাকা।" ১৫ তাৰ পাছত যিহোৱাই
মোচিক ক'লে, "তুমি মোলৈ কিয় কাতৰোক্তি কৰিছা? ইস্ৰায়েলী
লোকসকলক আগুৱাই যাবলৈ কোৱা। ১৬ তুমি তোমাৰ লাখুটি তুলি,
সাগৰৰ ওপৰলৈ তোমাৰ হাত মেলা, আৰু সাগৰক দুভাগ কৰা;
তাতে ইস্ৰায়েলী লোকসকলে সাগৰৰ মাজেৰে শুকান বাটেদি যাব

পাৰিব। ১৭ চোৱা মই মিচৰীয়া সকলৰ মন কঠিন কৰিম; তাতে
তেওঁলোকে তেওঁলোকৰ পাছে পাছে যাব। মই ফৰৌণ, তেওঁৰ সকলো
ৰথ ও অশ্বাৰোহী আৰু সৈন্য সকলৰ দ্বাৰাই গৌৰৱান্বিত হ'ম। ১৮
তেতিয়া ফৰৌণ, তেওঁৰ ৰথ, আৰু অশ্বাৰোহী সকলৰ দ্বাৰাই মই
গৌৰৱান্বিত হ'লে, ময়েই যে যিহোৱা, এই কথা মিচৰীয়া সকলে
জানিব।" ১৯ ঈশ্বৰৰ যি দূত ইস্ৰায়েলী লোকসকলৰ আগে আগে
গৈছিল, তেওঁ তেওঁলোকৰ আগৰ পৰা আঁতৰি পাছফাললৈ গ'ল। মেঘ-
স্তম্ভ তেওঁলোকৰ আগৰ পৰা আঁতৰি গৈ তেওঁলোকৰ পাছফালে স্থিৰ
হ'ল। ২০ মেঘ-স্তম্ভ মিচৰীয়া সৈন্য সকল আৰু ইস্ৰায়েলী লোকসকলৰ
তম্বুৰ মাজলৈ আহিল। সেয়ে মিচৰীয়া লোকসকলৰ বাবে অন্ধকাৰময়
মেঘ হ'ল, কিন্তু ইস্ৰায়েলী লোকসকলৰ বাবে ৰাতি পোহৰ দিওঁতা হ'ল।
তাতে ওৰে ৰাতি ইদলে সিদলৰ ওচৰ চাপিব নোৱাৰিলে। ২১ মোচিয়ে
সাগৰৰ ওপৰত তেওঁৰ হাত মেলিলে। যিহোৱাই সেই গোটেই নিশা পূব
ফালৰ প্ৰবল বতাহেৰে সাগৰ হোঁহোকাই নি, তাক শুকান ভূমি কৰিলে।
এইদৰে পানী দুভাগ কৰা হ'ল। ২২ তেতিয়া ইস্ৰায়েলী লোকসকল
শুকান বাটেদি সাগৰৰ মাজেলৈ গ'ল। তেওঁলোকৰ সোঁফালে আৰু
বাওঁফালে জল সমূহ তেওঁলোকলৈ দেৱাল স্বৰূপ হ'ল। ২৩ মিচৰীয়া
সকলে তেওঁলোকক খেদি গ'ল। ফৰৌণৰ সকলো ঘোঁৰা, ৰথ, আৰু
অশ্বাৰোহী বিলাক তেওঁলোকৰ পাছে পাছে সাগৰৰ মাজলৈ সোমাই
গ'ল। ২৪ কিন্তু দোকমোকালীতে যিহোৱাই অগ্নিস্তম্ভ আৰু মেঘ-স্তম্ভৰ
মাজৰ পৰা মিচৰীয়া সৈন্য সকললৈ চাই, মিচৰীয়া সৈন্য সকলক
ব্যাকুল কৰিলে। ২৫ যিহোৱাই তেওঁলোকৰ ৰথৰ চকা সোলোকালে,
আৰু অশ্বাৰোহী বিলাকে অতি কষ্টেৰে ৰথ চলালে। সেয়ে মিচৰীয়া
সকলে ক'লে, "আহাঁ, আমি ইস্ৰায়েলৰ সন্মুখৰ পৰা পলাওহঁক; কিয়নো
যিহোৱাই তেওঁলোকৰ ফলীয়া হৈ, আমাৰ বিৰুদ্ধে যুদ্ধ কৰিছে।" ২৬
তাৰ পাছত যিহোৱাই মোচিক ক'লে, "মিচৰীয়া সকল, তেওঁলোকৰ ৰথ
আৰু অশ্বাৰোহী বিলাকৰ ওপৰলৈ যেন পুনৰায় জল সমূহ আহিব, তাৰ
বাবে তুমি সাগৰৰ ওপৰলৈ তোমাৰ হাত মেলা।" ২৭ সেয়ে মোচিয়ে
সাগৰৰ ওপৰলৈ হাত মেলিলে, আৰু যেতিয়া ৰাতিপুৱা হ'ল, তেতিয়া

সাগৰ পুনৰ স্বাভাৱিক ৰূপত আহিল। মিচৰীয়া সকলে সাগৰলৈ সোমাই
যাওঁতে, যিহোৱাই মিচৰীয়া সকলক সাগৰৰ মাজত পেলালে। ২৮ জল
সমূহ উভটি আহি ফৌৰণৰ ৰথ, অশ্বাৰোহী আৰু তেওঁলোকৰ পাছে
পাছে সাগৰত সোমোৱা ফৰৌণৰ সকলো সৈন্য পানীয়ে ঢাকি ধৰিলে।
তাতে তেওঁলোকৰ কোনো জীয়াই নাথাকিল। ২৯ ইস্রায়েলী লোকসকল
সাগৰৰ মাজেদি শুকান বাটেৰে গ'ল; আৰু তেওঁলোকৰ সোঁফালে
আৰু বাওঁফালে জল সমূহ তেওঁলোকলৈ দেৱাল স্বৰূপ হ'ল। ৩০
এইদৰে সেই দিনা যিহোৱাই মিচৰীয়া সকলৰ হাতৰ পৰা ইস্রায়েলক
পৰিত্ৰাণ কৰিলে। ইস্রায়েলী লোকসকলে মিচৰীয়া সকলৰ মৃতদেহ
সাগৰৰ তীৰত পৰি থকা দেখিলে। ৩১ ইস্রায়েলী লোক সকলে যেতিয়া
মিচৰীয়া সকলৰ বিৰুদ্ধে যিহোৱাৰ মহা পৰাক্ৰম দেখিলে, তেতিয়া
তেওঁলোকে যিহোৱাৰ গৌৰৱ কৰিলে, আৰু তেওঁলোকে যিহোৱা আৰু
তেওঁৰ দাস মোচিক বিশ্বাস কৰিলে।

**১৫** তাৰ পাছত মোচি আৰু ইস্রায়েলী লোকসকলে যিহোৱাৰ উদ্দেশ্যে
এই স্তুতি গীত গাইছিল; তেওঁলোকে এইদৰে গাইছিল, "মই যিহোৱাৰ
উদ্দেশ্যে গান কৰিম, কিয়নো তেওঁ মহা জয়েৰে গৌৰৱান্বিত হ'ল; তেওঁ
ঘোঁৰা আৰু অশ্বাৰোহী সমূদ্ৰত পেলালে। ২ যিহোৱা মোৰ বল আৰু
গান; তেওঁ মোৰ পৰিত্ৰাণকৰ্ত্তা হ'ল; তেওঁ মোৰ ঈশ্বৰ, আৰু মই তেওঁৰ
প্ৰশংসা কৰিম; তেওঁ মোৰ পিতৃৰো ঈশ্বৰ, আৰু মই তেওঁৰ প্ৰশংসা
কৰিম। ৩ যিহোৱা পৰাক্ৰমী বীৰ; যিহোৱা তেওঁৰ নাম। ৪ তেওঁ
ফৰৌণৰ ৰথ আৰু সৈন্য সমূহক সমুদ্ৰত পেলালে। ফৌৰণৰ মনোনীত
সেনাপতিসকল চূফ সাগৰত ডুবিল। ৫ জল সমূহে তেওঁলোকক ঢাকি
ধৰিলে; শিলৰ দৰে তেওঁলোক অগাধ জলৰ ত'ললৈ গ'ল। ৬ হে
যিহোৱা, আপোনাৰ সোঁ হাত, পৰাক্ৰমত মহিমান্বিত হ'ল; হে যিহোৱা,
আপোনাৰ সোঁ হাতে শত্ৰুক গুড়ি কৰিছে। ৭ আপুনি আপোনাৰ মহান
মহিমাৰে আপোনাৰ বিৰুদ্ধে উঠাবোৰক বিনষ্ট কৰিলে। আপুনি পঠোৱা
আপোনাৰ ক্ৰোধাগ্নিয়ে; তেওঁলোকক নৰাৰ দৰে গ্ৰাস কৰিছে। ৮
আপোনাৰ নিশ্বাসতে জল সমূহ স্তূপাকৃত হ'ল; বৈ যোৱা জল সমূহো
স্তূপাকৃত হ'ল; সমুদ্ৰৰ অগাধ জল সাগৰৰ অন্তৰ ভাগত গোট বান্ধিলে।

৯ শত্রুৱে কৈছিল, ‘মই পাছে পাছে খেদি যাম, মই আগ ভেটি ধৰিম,
মই লুটদ্রব্য ভগাই ল’ম; মোৰ হাবিয়াহ তেওঁলোকৰ ওপৰত পূৰ হ’ব;
মই তৰোৱাল উলিয়াম, মোৰ হাতে তেওঁলোকক সংহাৰ কৰিব।’ ১০
কিন্তু আপুনি আপোনাৰ বায়ুৰে ফু দিলত সাগৰে তেওঁলোকক ঢাকি
ধৰিলে; তেওঁলোক সীহৰ দৰে মহাজলত ডুব গ’ল। ১১ হে যিহোৱা,
দেৱতাবোৰৰ মাজত আপোনাৰ তুল্য কোন? পবিত্রতাত আপোনাৰ
দৰে মহিমান্বিত কোন? প্রশংসাত গৌৰৱান্বিত, আচৰিত কর্ম কৰোঁতা
কোন? ১২ আপুনি আপোনাৰ সোঁ হাত মেলিলে, আৰু পৃথিৱীয়ে
তেওঁলোকক গ্রাস কৰিলে। ১৩ আপুনি উদ্ধাৰ কৰা লোকসকলক
আপোনাৰ দয়াৰে চলাই আনিছে; আপুনি আপোনাৰ পৰাক্রমেৰেই
তেওঁলোকক আপোনাৰ পবিত্র নিবাসলৈ লৈ গৈছে। ১৪ লোকসকলে
শুনিব আৰু তেওঁলোক কঁপি উঠিব; পলেষ্টিয়া লোকসকলক ত্রাসে
বেৰি ধৰিছে।” ১৫ তেতিয়া ইদোমৰ প্রধান লোকসকলে ভয় কৰিলে;
মোৱাবৰ সৈন্য সকল কঁপি উঠিল; কনান-বাসী সকলোৱেই দিশহাৰা
হৈ গ’ল। ১৬ ভয় আৰু ত্রাসে তেওঁলোকক বেৰি ধৰিলে; আপোনাৰ
বাহুবলৰ শক্তিৰ কাৰণে তেওঁলোক শিলৰ দৰে নীৰৱ হৈ ৰ’ল; হে
যিহোৱা, আপোনাৰ লোকসকল পাৰ নোহোৱালৈকে; আপুনি উদ্ধাৰ
কৰা লোকসকল পাৰ নোহোৱালৈকে। ১৭ আপুনি তেওঁলোকক আনিব
আৰু আপোনাৰ অধিকাৰ কৰা পাহাৰত স্থাপন কৰিব, হে যিহোৱা,
আপুনি নিবাস কৰিবলৈ যুগুত কৰা ঠাই, হে প্রভু, যি ধর্মধাম আপুনি
নিজৰ হাতেৰে নির্ম্মাণ কৰিলে, ১৮ যিহোৱাই সদা-সর্ব্বদায় ৰাজত্ব
কৰিব।” ১৯ কাৰণ ফৰৌণৰ ৰথ আৰু অশ্বাৰোহীৰ সৈতে ঘোঁৰাবোৰ
সমুদ্রৰ মাজত সোমাল। যিহোৱাই সমুদ্রৰ জল তেওঁলোকৰ ওপৰলৈ
উভটাই আনিলে। কিন্তু ইস্রায়েলী লোকসকল হ’লে, সমুদ্রৰ মাজেদি
শুকান বাটেদি গুছি গ’ল। ২০ তেতিয়া হাৰোণৰ বায়েক মিৰিয়ম
ভাববাদিনীয়ে তেওঁৰ হাতত খঞ্জৰি ল’লে; আৰু তেওঁৰ পাছে পাছে
আন আন মহিলাসকলেও হাতত খঞ্জৰি লৈ, নাচি নাচি ওলাই গ’ল।
২১ মিৰিয়মে তেওঁলোকৰ আগত গীত গালে, “তোমালোকে যিহোৱাৰ
উদ্দেশ্যে গান কৰা, কিয়নো তেওঁ মহা-গৌৰৱান্বিত হ’ল; তেওঁ ঘোঁৰা

আৰু অশ্বাৰোহীক সমুদ্ৰত পেলাই দিলে।” ২২ তাৰ পাছত মোচিয়ে
ইস্ৰায়েলী লোকসকলক চূফ সাগৰৰ তীৰৰ পৰা যাত্ৰা কৰিবলৈ দিলে,
তেওঁলোকে চূৰ মৰুভূমিৰ মাজেৰে যাত্ৰা কৰি গ'ল। তেওঁলোকে
সেই মৰুভূমিৰ মাজেৰে তিনি দিনৰ বাট গ'ল, আৰু সেই ঠাইত
পানী বিচাৰি নাপালে। ২৩ তাৰ পাছত তেওঁলোকে মাৰা গৈ পালে,
আৰু মাৰাত থকা পানী তিতা হোৱাৰ বাবে, তেওঁলোকে পান কৰিব
নোৱাৰিলে; সেয়ে তেওঁলোকে সেই ঠাইৰ নাম মাৰা ৰাখিলে। ২৪ সেই
কাৰণে লোকসকলে মোচিক অভিযোগ কৰি ক'লে, “আমি কি পান
কৰিম?” ২৫ তেতিয়া মোচিয়ে যিহোৱাৰ আগত কাতৰোক্তি কৰিলে,
আৰু যিহোৱাই তেওঁক এজোপা গছ দেখুৱালে। তেওঁ তাকে আনি
পানীত পেলাই দিলে, আৰু পানী খাবলৈ মিঠা হ'ল। সেই ঠাইতে
যিহোৱাই তেওঁলোকৰ অৰ্থে এটা কঠোৰ বিধি আৰু শাসন-প্ৰণালী
দিলে। সেই ঠাইতে যিহোৱাই তেওঁলোকক পৰীক্ষা কৰিলে। ২৬
তেওঁ ক'লে, “মই, তোমালোকৰ ঈশ্বৰ যিহোৱা, যদি তোমালোকে
সাৱধানে মোৰ বাক্য শুনা, আৰু মোৰ দৃষ্টিত যি উচিত সেই কাৰ্য
কৰা, আৰু মোৰ আজ্ঞাবোৰলৈ মনোযোগ দিয়া আৰু মোৰ সকলো
বিধি পালন কৰা তেনেহ'লে, মই মিচৰীয়াসকলক যি সকলো ৰোগ
দিছিলোঁ, সেইবোৰৰ কোনো ৰোগ তোমালোকক নিদিম, কাৰণ মই
তোমালোকৰ আৰোগ্যকাৰী যিহোৱা।” ২৭ তাৰ পাছত লোকসকল
এলীমলৈ আহিল; সেই ঠাইত পানীৰ বাৰটা ভুমুক, আৰু সত্তৰ জোপা
খাজুৰ গছ আছিল; তেওঁলোকে সেই ঠাইতে পানীৰ কাষত তম্বু
তৰিলে।

**১৬** ইস্ৰায়েলী লোকসকলে এলীমৰ পৰা যাত্ৰা কৰিলে। মিচৰ দেশৰ
পৰা ওলাই অহাৰ পাছত দ্বিতীয় মাহৰ পোন্ধৰ দিনৰ দিনা, এলীম আৰু
চীনয় এই দুয়োৰো মাজত থকা চীন মৰুপ্ৰান্তৰ পালে। ২ ইস্ৰায়েলী
সকলৰ গোটেই সমাজে মোচি আৰু হাৰোণৰ বিৰুদ্ধে মৰুভূমিত
অভিযোগ কৰিবলৈ ধৰিলে। ৩ ইস্ৰায়েলী সকলে তেওঁলোকক ক'লে,
“আমি যেতিয়া মাংস ৰখা পাত্ৰৰ ওচৰত বহি লৈ হেঁপাহ নপলাইমানে
পিঠা খাইছিলোঁ, সেই সময়তেই মিচৰ দেশত যিহোৱাৰ হাতত মৰা

হ’লে ভাল আছিল। আপোনালোকে আমাক সকলোকে ভোকত মৰিবলৈ
এই মৰুভূমিলৈ উলিয়াই আনিলে।” ৪ তেতিয়া যিহোৱাই মোচিক ক’লে,
“লোকসকলে মোৰ ব্যৱস্থা মানি চলিব নে নাই, তাৰ পৰীক্ষা কৰিবৰ
অৰ্থে, ‘মই তোমালোকলৈ আকাশৰ পৰা পিঠা বৰষাম’ আৰু লোকসকলে
ওলাই গৈ প্ৰতি দিনৰ আহাৰ প্ৰতি দিনে গোটাব। ৫ তেওঁলোকে
প্ৰতিদিনে যিমান আহাৰ গোটাইছিল প্ৰতি ষষ্ঠ দিনত তাতকৈ দুগুণ
গোটাব, আৰু তেওঁলোকে যি পৰিমাণে আনিব, তাকে ৰান্ধিব।” ৬ তাৰ
পাছত মোচি আৰু হাৰোণে ইস্ৰায়েলী লোকসকলক ক’লে, “গধূলি
তোমালোকে জানিব পাৰিবা যে, যিহোৱাইহে তোমালোকক মিচৰ
দেশৰ পৰা উলিয়াই আনিলে।” ৭ ৰাতিপুৱা তোমালোকে যিহোৱাৰ
মহিমা দেখিবলৈ পাবা; কাৰণ যিহোৱাৰ বিৰুদ্ধে তোমালোকে কৰা
অভিযোগ তেওঁ শুনিলে। আমি নো কোন যে, তোমালোকে আমাৰ
বিৰুদ্ধে অভিযোগ কৰিছা?” ৮ মোচিয়ে পুনৰ ক’লে, “যিহোৱাই
গধূলি যেতিয়া তোমালোকক খাবলৈ মাংস, আৰু ৰাতিপুৱা উপচি
পৰাকৈ পিঠা দিব, তেতিয়া যিহোৱাৰ বিৰুদ্ধে তোমালোকে কৰা
অভিযোগ তেওঁ যে শুনিলে, সেই কথা তোমালোকে বুজি পাবা।
হাৰোণ আৰু মই কোন? তোমালোকৰ অভিযোগ আমাৰ বিৰুদ্ধে নহয়;
যিহোৱাৰ বিৰুদ্ধেহে।” ৯ মোচিয়ে হাৰোণক ক’লে, “আপুনি ইস্ৰায়েলী
লোকসকলৰ সমাজক কওক, তোমালোক যিহোৱাৰ ওচৰলৈ চাপি
আহা; কাৰণ তেওঁ তোমালোকৰ অভিযোগ শুনিলে।” ১০ হাৰোণে
ইস্ৰায়েলী লোকসকলৰ সমাজক এই কথা কৈ থাকোতে, তেওঁলোকে
মৰুপ্ৰান্তৰ ফাললৈ চাই দেখিলে যে, মেঘৰ মাজত যিহোৱাৰ মহিমা
প্ৰকাশিত হৈছে। ১১ তেতিয়া যিহোৱাই মোচিৰ সৈতে কথা পাতি
ক’লে, ১২ “মই ইস্ৰায়েলী লোকসকলৰ অভিযোগ শুনিলোঁ। তুমি
তেওঁলোকক কোৱা, ‘গধূলি তোমালোকে মাংস আৰু ৰাতিপুৱা হেঁপাহ
পলুৱাই পিঠা খাবলৈ পাবা। তেতিয়া তোমালোকে জানিবা যে, ময়েই
তোমালোকৰ যিহোৱা, তোমালোকৰ ঈশ্বৰ’।” ১৩ গধূলি পৰত, বটা
চৰাইবোৰ তম্বুৰ ওপৰলৈ আহি তম্বু ঢাকি ধৰিলে। ৰাতিপুৱা তম্বুৰ
চাৰিওফালে নিয়ৰ পৰি আছিল। ১৪ পৰি থকা সেই নিয়ৰবোৰ যেতিয়া

শুকাই গ'ল, তেতিয়া ক্ষুদ্ৰ বৰফৰ টুকুৰাৰ দৰে সৰু সৰু ঘূৰণীয়া বস্তু গোটেইখন মৰুপ্ৰান্তৰ ভূমিত পৰি আছিল। ১৫ ইস্ৰায়েলী লোকসকলে সেই বস্তু দেখি ইজনে সিজনক ক'লে, "এইয়া কি?" কিয়নো সেই বস্তু নো কি তেওঁলোকে নাজানিছিল। তেতিয়া মোচিয়ে তেওঁলোকক ক'লে, "এইয়া যিহোৱাই তোমালোকক খাবলৈ দিয়া পিঠা।" ১৬ যিহোৱাই দিয়া আজ্ঞা এই, "তোমালোক প্ৰতিজনে খাব পৰা শক্তি অনুসাৰে; আৰু তোমালোক প্ৰতিজনে তম্বুত থকা মানুহৰ সংখ্যা অনুসাৰে এক ওমৰ গোটাবা। এইদৰেই তোমালোকে গোটাবা: তোমালোকে তম্বুত থকা প্ৰতিজন মানুহে খাব পৰা অনুসাৰে গোটাবা।" ১৭ তেতিয়া ইস্ৰায়েলী লোকসকলে সেইদৰেই কৰিলে। কিছুমান লোকে অধিক আৰু কিছুমান লোকে তাকৰকৈ গোটালে। ১৮ তেওঁলোকে যেতিয়া সেইবোৰ ওমৰৰ জোখত জুখিলে, যি সকলে অধিককৈ গোটাইছিল, তেওঁলোকৰ অতিৰিক্ত নহ'ল, আৰু যি সকলে তাকৰকৈ গোটাইছিল তেওঁলোকৰো অভাৱ নহ'ল। তেওঁলোক প্ৰতিজনে প্ৰয়োজন অনুসাৰে গোটালে। ১৯ তেতিয়া মোচিয়ে তেওঁলোকক ক'লে, "কোনো এজনেও ৰাতিপুৱালৈকে ইয়াৰ অৱশিষ্ট নাৰাখিব।" ২০ তথাপিও তেওঁলোকে মোচিৰ কথা নুশুনিলে। কিছুমানে ৰাতিপুৱালৈকে সেইবোৰৰ কিছু অৱশিষ্ট ৰাখি থলে; কিন্তু সেইবোৰত পোক জন্মিল, আৰু দুৰ্গন্ধময় হ'ল; তেতিয়া তেওঁলোকৰ ওপৰত মোচিৰ খং উঠিল। ২১ প্ৰতি ৰাতিপুৱাতে তেওঁলোকে সেইবোৰ গোটাইছিল। প্ৰতিজন মানুহে সেই দিনটোত খাব পৰা অনুসাৰে গোটাইছিল। যেতিয়া ৰ'দ প্ৰখৰ হয়, সেইবোৰ গ'লি গৈছিল। ২২ তাৰ পাছত ষষ্ঠ দিনৰ দিনা তেওঁলোকে দুগুণ, অৰ্থাৎ প্ৰতিজনৰ বাবে দুই ওমৰকৈ পিঠা গোটাইছিল। তেতিয়া সমাজৰ মূখ্য লোকসকল মোচিৰ ওচৰলৈ আহি সেই কথা ক'লে। ২৩ মোচিয়ে তেওঁলোকক ক'লে, "যিহোৱাই যে কৈছিল সেয়া এই, 'কাইলৈ সম্পূৰ্ণ বিশ্ৰাম-দিন, যিহোৱাৰ গৌৰৱৰ উদ্দেশ্যে পবিত্ৰ বিশ্ৰাম-দিন। তোমালোকে যি ভাজিব খোজা, আৰু যি সিজাব খোজে সিজাবা। নিজৰ বাবে ৰাতি পুৱালৈকে তাৰ অৱশিষ্ট অংশ থৈ দিবা'।" ২৪ সেয়ে তেওঁলোকে মোচিৰ নিৰ্দেশ অনুসাৰে, ৰাতিপুৱালৈকে একাষৰিয়াকৈ

থৈ দিলে। সেই খাদ্য দুৰ্গন্ধময় নহ'ল, আৰু তাত পোকো নহ'ল।
২৫ মোচিয়ে ক'লে, "সেই আহাৰ আজি ভোজন কৰা; কাৰণ আজি
যিহোৱাৰ গৌৰৱৰ উদ্দেশ্যে বিশ্ৰাম-দিন। আজি তোমালোকে পথাৰত
সেইবোৰ বিচাৰি নাপাবা। ২৬ তোমালোকে ছয় দিন সেইবোৰ
গোটাবা; কিন্তু সপ্তম দিন বিশ্ৰাম-দিন হয়। সেয়ে বিশ্ৰাম বাৰে পথাৰত
মান্না নাথাকিব।" ২৭ তথাপিও সপ্তম দিনা কিছুমান লোকে মান্না
গোটাবলৈ ওলাই গৈছিল; কিন্তু তেওঁলোকে একো বিচাৰি নাপালে।
২৮ তেতিয়া যিহোৱাই মোচিক ক'লে, "তোমালোকে মোৰ আজ্ঞা আৰু
ব্যৱস্থাবোৰ কিমান দিনলৈকে পালন কৰিবলৈ অমান্তি হৈ থাকিবা?
২৯ চোৱা, মই যিহোৱা, ময়েই তোমালোকক বিশ্ৰামবাৰ দিলোঁ। সেয়ে
তোমালোকক ষষ্ঠ দিনা মই দুদিনৰ আহাৰ দি আছোঁ। তোমালোক
প্ৰতিজনে নিজৰ ঠাইত থাকিব লাগিব; সপ্তম দিনত কোনো এজনেও
নিজৰ ঠাইৰ পৰা বাহিৰলৈ ওলাই নাযাওক।" ৩০ সেয়ে লোকসকলে
সপ্তম দিনা বিশ্ৰাম কৰিলে। ৩১ ইস্ৰায়েলী লোকসকলে সেই আহাৰৰ
নাম "মান্না" ৰাখিলে। সেইবোৰ ধনীয়া গুটিৰ দৰে বগা; আৰু ইয়াৰ
সোৱাদ মৌজোলৰ সৈতে বনোৱা পিঠাৰ দৰে আছিল। ৩২ মোচিয়ে
ক'লে, "যিহোৱাই কৰা আজ্ঞা এই মই তোমালোকক মিচৰ দেশৰ
পৰা বাহিৰ কৰি অনাৰ পাছত, মৰুভূমিত যি পিঠা তোমালোকক
খুৱাইছিলোঁ, সেই পিঠা তোমালোকৰ ভাবী-বংশই যাতে দেখিবলৈ
পাব; তাৰ বাবে তোমালোকে পুৰুষানুক্ৰমে এক ওমৰ ৰাখি থবা।"
৩৩ মোচিয়ে হাৰোণক ক'লে, "তুমি এটা পাত্ৰ লোৱা, আৰু তাত
এক ওমৰ মান্না ভৰোৱা। পুৰুষানুক্ৰমে তোমালোকৰ লোকসকললৈ,
যিহোৱাৰ সন্মুখত সেই পত্ৰটো সংৰক্ষিত কৰি থৈ দিয়া।" ৩৪ যিহোৱাই
মোচিক দিয়া আজ্ঞা অনুসাৰে, হাৰোণে সেই পাত্ৰত এক ওমৰ মান্না
ভৰাই নিয়ম চন্দুকৰ ভিতৰত বিধান পুস্তকৰ কাষত সংৰক্ষিত কৰি
ৰাখিলে। ৩৫ ইস্ৰায়েলী লোকসকলে নিবাস কৰা দেশ নোপোৱালৈকে
চল্লিশ বছৰ সেই মান্না খাইছিল। তেওঁলোকে কনান দেশৰ সীমা
নোপোৱালৈকে সেই মান্নাকে ভোজন কৰিছিল। ৩৬ এক ওমৰ ঐফাৰ
দহ ভাগৰ এভাগ।

১৭ তাৰ পাছত ইস্রায়েলৰ গোটেই সমাজে যিহোৱাৰ নির্দেশ
অনুসাৰে চীন মৰুভূমিৰ পৰা যাত্রা কৰিলে। তেওঁলোকে ৰফীদীমত
তম্বু তৰিলে; কিন্তু সেই ঠাইত লোকসকলৰ খাবলৈ পানী নাছিল। ২
সেই অৱস্থাৰ কাৰণে লোকসকলে মোচিক দোষ ধৰি ক’লে, “আমাক
খাবলৈ পানী দিয়ক।” মোচিয়ে তেওঁলোকক ক’লে, “আপোনালোকে
মোৰে সৈতে কিয় বিবাদ কৰিছে?” যিহোৱাক আপোনালোকে কিয়
পৰীক্ষা কৰিছে?” ৩ লোকসকল পিয়াহত আতুৰ হ’ল, আৰু মোচিৰ
বিৰুদ্ধে অভিযোগ কৰিলে। তেওঁলোকে ক’লে, “আপুনি কিয় আমাক
মিচৰৰ পৰা উলিয়াই আনিলে? আমাক, আমাৰ সন্তানসকলক, আৰু
পশুবোৰকো পিয়াহত মৰিবলৈ মিচৰৰ পৰা আনিলে নেকি?” ৪ তাৰ
পাছত মোচিয়ে যিহোৱাৰ আগত কাতৰোক্তি কৰি ক’লে, “মই এই
লোকসকলৰ সৈতে কি কৰিম? তেওঁলোকে মোক শিল দলিয়াই
মাৰিবলৈ প্রায় যুগুত হৈ আছে।” ৫ তেতিয়া যিহোৱাই মোচিক ক’লে,
“তুমি ইস্রায়েলৰ পৰিচাৰক কেইজন মানক লগত লৈ, লোক সকলৰ
আগে আগে যোৱা; আৰু তুমি যিডাল লাখুটিৰে নদীত প্রহাৰ কৰিছিলা,
তোমাৰ সেই লাখুটিকো লগত লৈ যোৱা। ৬ মই হোৰেবত শিলৰ
ওপৰত তোমাৰ সন্মুখত থিয় হ’ম; আৰু তুমি সেই শিলটোক প্রহাৰ
কৰিবা। তেতিয়া লোকসকলে খাবলৈ, সেই শিলৰ পৰা পানী ওলাব।”
তাৰ পাছত মোচিয়ে ইস্রায়েলৰ পৰিচাৰকসকলৰ আগত সেইদৰে
কৰিলে। ৭ মোচিয়ে সেই ঠাইৰ নাম মচ্ছা আৰু মিৰীবা ৰাখিলে।
কাৰণ সেই ঠাইতে ইস্রায়েলী লোকসকলে অভিযোগ কৰিছিল, আৰু
“যিহোৱা আমাৰ মাজত আছে নে নাই?” এই কথা কৈ যিহোৱাৰ
পৰীক্ষাৰ কৰিছিল। ৮ সেই সময়ত অমালেকৰ লোকসকলে ৰফীদীমত
ইস্রায়েলক আক্রমণ কৰিলে। ৯ সেয়ে মোচিয়ে যিহোচূৱাক ক’লে,
“কিছুমান লোকক মনোনীত কৰি বাহিৰলৈ ওলাই গৈ, অমালেকৰ
সৈতে যুদ্ধ কৰক। কাইলৈ মই ঈশ্বৰৰ লাখুটি হাতত লৈ পৰ্ব্বতৰ
ওপৰত থিয় হ’ম।” ১০ মোচি, হাৰোণ, আৰু হূৰ যেতিয়া পৰ্ব্বতৰ
ওপৰলৈ উঠি গ’ল, তেতিয়া যিহোচূৱাই মোচিৰ নির্দেশ অনুসাৰে
অমালেকৰ সৈতে যুদ্ধ কৰিলে। ১১ মোচিয়ে যেতিয়া হাত ওপৰলৈ

দাঙি ৰাখিছিল, তেতিয়া ইস্রায়েলৰ জয় হৈছিল; কিন্তু যেতিয়াই হাত
তললৈ নমাইছিল, তেতিয়াই অমালেক জয়ী হ'বলৈ ধৰে। ১২ এইদৰে
হাত দাঙি মোচিৰ হাত ভাগৰি পৰিল, তেতিয়া হাৰোণ আৰু হূৰে
এচটা শিল আনি, তেওঁ বহিবৰ কাৰণে তেওঁৰ তলত হ'ল। সেই
একে সময়তে হাৰোণ আৰু হূৰে, এজনে এফালে, আৰু আনজনে
আন ফালে তেওঁৰ হাত দুখন ধৰি দাঙি ৰাখিলে। সেয়ে বেলি মাৰ
নোযোৱালৈকে মোচিৰ হাত থিৰে থাকিল। ১৩ তেতিয়া যিহোচূৱাই
অমালেকৰ লোকসকলক তৰোৱালেৰে পৰাজয় কৰিলে। ১৪ তাৰ
পাছত যিহোৱাই মোচিক ক'লে, "সোঁৱৰণৰ অৰ্থে এই কথা পুস্তকত
লিখা, আৰু যিহোচূৱাক শুনোৱা; কাৰণ মই আকাশৰ তলৰ পৰা
অমালেকৰ নাম সম্পূৰ্ণকৈ লুপ্ত কৰিম।" ১৫ তেতিয়া মোচিয়ে এটা
যজ্ঞবেদী নিৰ্মাণ কৰি, তাৰ নাম "যিহোৱা-নিচ্চী" ৰাখিলে। ১৬ তেওঁ
এইদৰে কৰিলে, কিয়নো তেওঁ যিহোৱাৰ যজ্ঞবেদীৰ বিৰুদ্ধ কৰিলে,
সেয়ে তেওঁ কৈছিল, "যিহোৱাই প্ৰতিজ্ঞা কৰিলে যে, তেওঁ পুৰুষে,
পুৰুষে অমালেকৰ সৈতে যুদ্ধ কৰিব।"

**১৮** ঈশ্বৰে মোচিলৈ আৰু নিজৰ প্ৰজা ইস্রায়েললৈ যি যি কাৰ্য কৰিলে,
বিশেষকৈ যিহোৱাই মিচৰৰ পৰা ইস্রায়েলক কেনেকৈ বাহিৰ কৰি
আনিলে, সেই সকলো কথা মোচিৰ শহুৰেক মিদিয়নীয়া পুৰোহিত
যিথ্ৰোৱে শুনিবলৈ পালে। ২ তেতিয়া মোচিৰ শহুৰেক যিথ্ৰোৱে, মোচিৰ
ভাৰ্যা চিপ্পোৰাক, আৰু দুজন পুত্ৰক ঘৰলৈ পঠোৱাৰ পাছত, ৩ তেওঁৰ
এজন পুত্ৰৰ নাম গেৰ্চোম, কাৰণ মোচিয়ে কৈছিল, "মই বিদেশত
প্ৰবাসী হৈ আছোঁ।" ৪ আৰু আন জন পুত্ৰৰ নাম ইলিয়েজৰ কাৰণ তেওঁ
কৈছিল, "মোৰ পূৰ্বপুৰুষৰ ঈশ্বৰে মোক সহায় কৰিছিল; আৰু তেওঁ
মোক ফৰৌণৰ তৰোৱালৰ পৰা উদ্ধাৰ কৰিলে।" ৫ মোচিয়ে মৰুভূমিত,
ঈশ্বৰৰ পৰ্ব্বতৰ যি ঠাইত তম্বু তৰি আছিল, সেই ঠাইলৈ মোচিৰ
শহুৰেক যিথ্ৰোৱে মোচিৰ ভাৰ্যা আৰু দুজন পুত্ৰক লগত লৈ আহিল। ৬
তেওঁ মোচিক ক'লে, "মই তোমাৰ শহুৰ যিথ্ৰোৱে তোমাৰ ভাৰ্যা আৰু
তাইৰ দুজন পুত্ৰক লগত লৈ তোমাৰ ওচৰলৈ আহিছোঁ।" ৭ মোচিয়ে
তেওঁৰ শহুৰেকক লগ ধৰিবলৈ বাহিৰলৈ ওলাই গ'ল, আৰু তেওঁক

প্ৰণাম কৰি চুমা খালে। তেওঁলোকে ইজনে সিজনৰ ভাল-বেয়া খবৰ
ল'লে, আৰু তাৰ পাছত তম্বুলৈ সোমাই গ'ল। ৮ তাৰ পাছত যিহোৱাই
ফৰৌণ আৰু মিচৰীয়া লোকসকললৈ, আৰু ইস্রায়েলীলোক সকলৰ
বাবে যি যি কৰিছিল, বাটত তেওঁলোকলৈ যি সকলো ক্লেশ ঘটিছিল,
আৰু যিহোৱাই তেওঁলোকক কেনেকৈ উদ্ধাৰ কৰিলে, সেই সকলো কথা
মোচিয়ে তেওঁৰ শহুৰেকক ক'লে। ৯ যিহোৱাই মিচৰীয়াসকলৰ হাতৰ
পৰা ইস্রায়েলক উদ্ধাৰ কৰি, তেওঁলোকৰ বাবে যি যি সকলো মঙ্গলৰ
কৰিলে, সেই কাৰ্যবোৰৰ বাবে যিথ্ৰোৱে আনন্দ কৰিলে। ১০ যিথ্ৰোৱে
ক'লে, "যিজন সৰ্বশক্তিমান ঈশ্বৰে মিচৰীয়াসকলৰ হাতৰ পৰা, আৰু
ফৰৌণৰ হাতৰ পৰা তোমালোকক উদ্ধাৰ কৰিলে, সেই যিহোৱাৰ
গৌৰৱ হ'ওক। ১১ যিহোৱা যে সকলো দেৱতাবোৰতকৈ মহান,
তাক মই এতিয়া জানিলোঁ; কাৰণ মিচৰীয়াসকলে যেতিয়া ইস্রায়েলী
লোকসকলৰ বিৰুদ্ধে গৰ্ব্ব আচৰণ কৰিছিল, তেতিয়া ঈশ্বৰে তেওঁৰ
লোকসকলক তেওঁলোকৰ পৰা উদ্ধাৰ কৰিছিল।" ১২ তাৰ পাছত
মোচিৰ শহুৰেক যিথ্ৰোৱে ঈশ্বৰৰ উদ্দেশে হোম-বলি, আৰু মঙ্গলাৰ্থক
বলি উৎসৰ্গ কৰিলে। হাৰোণ আৰু ইস্রায়েলৰ সকলো পৰিচাৰক
আহি, ঈশ্বৰৰ সন্মুখত মোচিৰ শহুৰেকৰ সৈতে ভোজন কৰিলে। ১৩
তাৰ পাছদিনা মোচিয়ে লোকসকলৰ সোধ-বিচাৰ কৰিবলৈ বহিল।
ৰাতিপুৱাৰে পৰা সন্ধ্যালৈকে লোকসকল তেওঁৰ চাৰিওফালে থিয় হৈ
আছিল। ১৪ মোচিয়ে লোকসকললৈ কৰা সকলো কাৰ্য দেখি তেওঁৰ
শহুৰেকে তেওঁক ক'লে, "তুমি লোকসকলৰ সৈতে এয়া কি কাৰ্য
কৰিছা? তুমি কিয় অকলে বহি থাকা, আৰু লোকসকল ৰাতিপুৱাৰ
পৰা সন্ধ্যালৈকে তোমাৰ চাৰিওফালে থিয় হৈ থাকে?" ১৫ তেতিয়া
মোচিয়ে তেওঁৰ শহুৰেকক ক'লে, "লোকসকলে ঈশ্বৰৰ নিৰ্দেশনৰ
কথা সুধিবলৈ মোৰ ওচৰলৈ আহে। ১৬ যেতিয়া তেওঁলোকৰ মাজত
বিবাদ হ'য়, তেতিয়া তেওঁলোক মোৰ ওচৰলৈ আহে। তেতিয়া মই
এজনৰ লগত আন জনৰ মীমাংসা কৰোঁ; আৰু মই ঈশ্বৰৰ বিধি
আৰু ব্যৱস্থাবোৰ তেওঁলোকক বুজাই দিওঁ।" ১৭ তেতিয়া মোচিৰ
শহুৰেকে মোচিক ক'লে, "তুমি যি কাৰ্য কৰি আছা সেই কাৰ্য বৰ ভাল

নহয়। ১৮ এই দায়িত্ব তোমাৰ বাবে ভাৰস্বৰূপ হৈছে, সেয়ে তুমি
অকলে বহন কৰিব নোৱাৰিবা। এইদৰে কৰিলে তুমি আৰু তোমাৰ
ওচৰলৈ অহা লোকসকল নিশ্চয় ভাগৰি পৰিব। ১৯ মোৰ কথা শুনা,
মই তোমাক পৰামৰ্শ দিম, আৰু ঈশ্বৰ তোমাৰ লগত থাকক; কাৰণ
তুমি ঈশ্বৰৰ সন্মুখত লোকসকলৰ প্ৰতিনিধি হৈ, তেওঁলোকৰ বিবাদৰ
কথা ঈশ্বৰৰ ওচৰত জনোৱা। ২০ তুমি তেওঁলোকক তেওঁৰ বিধি
আৰু ব্যৱস্থাবোৰ শিকোৱা উচিত। তেওঁলোকে চলিবলগীয়া পথ আৰু
কৰিবলগীয়া কাৰ্য তেওঁলোকক দেখুৱা। ২১ তুমি এই লোকসকলৰ
মাজৰ পৰা সক্ষম, ঈশ্বৰক সন্মান কৰা, আৰু অন্যায় ঘৃণা কৰা,
সত্যবাদী লোকক মনোনীত কৰা। লোকসকলৰ ওপৰত তেওঁলোকক
সহস্ৰপতি, শতপতি, পঞ্চাশপতি, আৰু দশপতি নিযুক্ত কৰা। ২২
তেওঁলোকে লোকসকলৰ সকলো সাধাৰণ বিষয়বোৰৰ সোধ-বিচাৰ
কৰিব; কিন্তু কঠিন বিষয়বোৰ বিচাৰৰ বাবে তোমাৰ ওচৰলৈ আনিব।
সকলো সাধাৰণ বিষয়ৰ বিচাৰ তেওঁলোকে নিজেই কৰিব। এইদৰে
কৰিলে তোমাৰ কাৰণে সহজ হ'ব; আৰু তেওঁলোকে তোমাৰ সৈতে
ভাৰ বহন কৰিব। ২৩ তুমি যদি এইদৰে কাৰ্য কৰা, আৰু ঈশ্বৰে যদি
তোমাক এইদৰে কৰিবলৈ আজ্ঞা দিয়ে, তেতিয়া তুমি সহ্য কৰিব
পাৰিবা, আৰু লোকসকল সন্তুষ্ট হৈ নিজৰ ঘৰলৈ যাব পাৰিব।” ২৪
সেয়ে মোচিয়ে তেওঁৰ শহুৰেকৰ কথা শুনিলে, আৰু তেওঁ কোৱাৰ
দৰেই সকলো কৰিলে। ২৫ মোচিয়ে সকলো ইস্ৰায়েলৰ মাজৰ পৰা
সক্ষম লোকসকলক মনোনীত কৰি, লোকসকলৰ ওপৰত সহস্ৰপতি,
শতপতি, পঞ্চাশপতি, আৰু দশপতি, এইদৰে প্ৰধান লোক নিযুক্ত
কৰিলে। ২৬ তেওঁলোকে সাধাৰণ পৰিস্থিতিত লোকসকলৰ বিচাৰ
কৰিছিল। কঠিন বিষয়বোৰ তেওঁলোকে মোচিৰ ওচৰলৈ আনিছিল;
কিন্তু সাধাৰণ বিষয়বোৰ তেওঁলোকে নিজে বিচাৰ কৰিছিল। ২৭ তাৰ
পাছত মোচিয়ে শহুৰেকক বিদায় দিলে, আৰু যিথ্ৰো তেওঁৰ নিজৰ
দেশলৈ গুচি গ'ল।

**১৯** ইস্ৰায়েলৰ লোকসকল তৃতীয় মাহত মিচৰ দেশৰ পৰা ওলাই
যোৱাৰ পাছত, সেই দিনাই তেওঁলোক চীনয় মৰুভূমি আহি পালে। ২

তেওঁলোকে ৰফীদীমৰ পৰা যাত্ৰা কৰি চীনয় মৰুভূমিলৈ অহাৰ পাছত,
মৰুভূমিত পৰ্ব্বতৰ সন্মুখত তম্বু তৰিলে। ৩ মোচি ঈশ্বৰৰ ওচৰলৈ
উঠি গ'ল। যিহোৱাই পৰ্ব্বতৰ পৰা তেওঁক মাত লগাই ক'লে, "তুমি
যাকোবৰ বংশক আৰু ইস্ৰায়েলী লোকসকলক নিশ্চয়কৈ কোৱা: ৪
মই মিচৰীয়া লোকসকললৈ যি কৰিলোঁ, আৰু কেনেকৈ কুৰৰ পক্ষীৰ
ডেউকাৰ দ্বাৰাই, তোমালোকক মোৰ ওচৰলৈ আনিলোঁ। ৫ এতিয়া
যদি তোমালোকে বাধ্যতাৰে মোৰ কথা শুনা, আৰু মোৰ নিয়মটি পালন
কৰা, তেতিয়াহে তোমালোক সকলো লোকৰ মাজৰ পৰা লোৱা মোৰ
বিশেষ অধিকাৰ প্ৰাপ্ত লোক হ'বা; কাৰণ সমূদায় পৃথিৱী মোৰেই।
৬ মোৰ বাবে তোমালোক ৰাজকীয় পুৰোহিত আৰু পবিত্ৰ জাতি
হ'বা। এই সকলো কথা তুমি ইস্ৰায়েলী লোকসকলক ক'ব লাগে।"
৭ সেয়ে মোচিয়ে আহি লোকসকলৰ পৰিচাৰক সকলক মাতিলে।
যিহোৱাই তেওঁক দিয়া সকলো আজ্ঞা তেওঁলোকৰ আগত প্ৰকাশ
কৰিলে। ৮ সকলো লোকে একেলগে উত্তৰ দি ক'লে, "যিহোৱাই যি
কৈছে, সেইবোৰ আমি কৰিম।" তেতিয়া মোচিয়ে যিহোৱাৰ আগত
লোকসকলে কোৱা কথা জনালে। ৯ যিহোৱাই মোচিক ক'লে, "মই
ঘন মেঘৰ মাজত তোমাৰ ওচৰলৈ আহিম; আৰু মই যেতিয়া তোমাৰ
লগত কথা পাতিম, তেতিয়া যেন লোকসকলে সেই কথা শুনিবলৈ
পাই; আৰু তোমাকো যেন তেওঁলোকে সদায় বিশ্বাস কৰিব পাৰে।"
তেতিয়া মোচিয়ে যিহোৱাৰ আগত লোকসকলৰ কথা ক'লে। ১০
যিহোৱাই মোচিক ক'লে, "লোকসকলৰ ওচৰলৈ যোৱা। আজি আৰু
কাইলৈ তেওঁলোকক পবিত্ৰ কৰিবা, আৰু তেওঁলোকক নিজৰ কাপোৰ
ধুই, মই অহাৰ বাবে তেওঁলোকক যুগুত কৰা। ১১ তৃতীয় দিনৰ
বাবে প্ৰস্তুত হোৱা, তৃতীয় দিনৰ দিনা মই যিহোৱা, চীনয় পৰ্ব্বতলৈ
নামি আহিম। ১২ তুমি লোকসকলৰ বাবে পৰ্ব্বতৰ চাৰিওফালে সীমা
নিৰূপন কৰা। তেওঁলোকক কোৱা, 'সাৱধান হওক; আপোনালোক
পৰ্ব্বতৰ ওপৰলৈ উঠি নাযাব, আৰু তাৰ সীমাও স্পৰ্শ নকৰিব। যিজনে
পৰ্ব্বত স্পৰ্শ কৰিব, তেওঁক অৱশ্যেই প্ৰাণদণ্ড দিয়া হ'ব।' ১৩ সেই
লোকক কোনেও হাতেৰে স্পৰ্শ নকৰিব। তাৰ পৰিৱৰ্তে, তেওঁলৈ শিল

দলিওৱা হ'ব বা কাঁড় মৰা হ'ব। পশুৱেই হওক, বা মানুহেই হওক, তেওঁ নিশ্চয় মৃত্যুদণ্ড পাব। যেতিয়া দীঘল কৈ শিঙা বাজিব, তেতিয়া তেওঁলোক পৰ্ব্বতৰ নামনিলৈ নামি আহিব।" ১৪ তেতিয়া মোচিয়ে পৰ্ব্বতৰ পৰা লোকসকলৰ ওচৰলৈ নামি আহিল। তেওঁ লোকসকলক পবিত্ৰকৃত কৰিলে; আৰু তেওঁলোকে নিজৰ নিজৰ কাপোৰবোৰ ধুলে। ১৫ তেওঁ লোকসকলক ক'লে, "আপোনালোক তৃতীয় দিনৰ বাবে যুগুত হওক; আৰু আপোনালোকৰ ভাৰ্যাৰ ওচৰলৈ নাযাব।" ১৬ তৃতীয় দিনা ৰাতি পুৱা, মেঘ-গৰ্জ্জন, বিজুলী, পৰ্ব্বতৰ ওপৰত ঘন মেঘ, আৰু উচ্চ শিঙা-ধ্বনি হ'ল। তাতে তম্বুত থকা সকলো লোক কঁপিবলৈ ধৰিলে। ১৭ মোচিয়ে ঈশ্বৰক ল'গ ধৰিবলৈ লোকসকলক তম্বুৰ পৰা উলিয়াই আনিলে; আৰু তেওঁলোক পৰ্ব্বতৰ নামনিত থিয় হ'ল। ১৮ যিহোৱা চীনয় পৰ্ব্বতৰ ওপৰলৈ অগ্নিত নামি অহাত, গোটেই পৰ্ব্বত ধোঁৱাময় হ'ল; আৰু অগ্নিকুণ্ডৰ ধোঁৱাৰ নিচিনাকৈ তাৰ ধোঁৱা উঠিল। সেয়ে গোটেই পৰ্ব্বত বৰকৈ কঁপিব ধৰিলে। ১৯ শিঙাৰ উচ্চ ধ্বনি যেতিয়া ক্ৰমে ক্ৰমে বাঢ়ি গ'ল, তেতিয়া মোচিয়ে কথা ক'লে, আৰু ঈশ্বৰে আকাশী-বাণীৰে তেওঁক উত্তৰ দিলে। ২০ এইদৰে যিহোৱা চীনয় পৰ্ব্বতৰ ওপৰলৈ নামি আহিল; আৰু মোচিক ওপৰলৈ মাতিলে। সেয়ে মোচি উঠি গ'ল। ২১ যিহোৱাই মোচিক ক'লে, "লোকসকলে মোক চাবৰ বাবে যেন সীমা লঙ্ঘন কৰি নাহে, আৰু তেওঁলোকৰ অনেক লোক যেন বিনষ্ট নহয়, সেই বাবে তুমি নামি গৈ তেওঁলোকক সাৱধান কৰা। ২২ যি পুৰোহিতসকল মোৰ ওচৰলৈ আহে, তেওঁলোকক পৃথক কৰা; যিহোৱাই যেন তেওঁলোকক আক্ৰমণ নকৰে, সেই বাবে তেওঁলোকে নিজকে পবিত্ৰকৃত কৰক।" ২৩ মোচিয়ে যিহোৱাক ক'লে, "লোকসকল চীনয় পৰ্ব্বতৰ ওপৰলৈ আহিব নোৱাৰে; কাৰণ, আপুনি আমাক আজ্ঞা কৰিছে: 'বিশেষভাৱে যিহোৱাৰ গৌৰৱৰ অৰ্থে পৰ্ব্বতৰ সীমা নিৰূপণ কৰি তাক পবিত্ৰ কৰিবলৈ'।" ২৪ তেতিয়া যিহোৱাই মোচিক ক'লে, "তুমি পৰ্ব্বতৰ পৰা নামি যোৱা; আৰু হাৰোণক তোমাৰ লগত লৈ আহাঁ; কিন্তু পুৰোহিত আৰু লোকসকলক সীমা অতিক্ৰম কৰিব নিদিবা। নহ'লে মই তেওঁলোকক আক্ৰমণ কৰিম।" ২৫ সেয়ে

মোচিয়ে লোকসকলৰ ওচৰলৈ নামি গ'ল, আৰু তেওঁলোকৰ আগত
সেই কথা ক'লে।

২০ ঈশ্বৰে এই সকলো কথা ক'লে: ২ "মই যিহোৱা, তোমালোকৰ
ঈশ্বৰ, মিচৰ দেশৰ বন্দীঘৰৰ পৰা উলিয়াই অনা তোমালোকৰ ঈশ্বৰ
যিহোৱাময়েই। ৩ মোৰ আগত তোমালোকৰ আন কোনো দেৱতা
নাথাকক। ৪ তোমালোকে নিজৰ বাবে, স্বৰ্গত থকা, অথবা পৃথিবীত
থকা, বা পানীৰ তলত থকা কোনো আকৃতিৰ মূৰ্ত্তি নাসাজিবা। ৫
সেইবোৰৰ আগত তোমালোকে প্ৰণিপাত নকৰিবা, আৰু সেইবোৰক
সেৱাপূজাও নকৰিবা; কাৰণ মই যিহোৱা, তোমালোকৰ ঈশ্বৰ।
মই ঈৰ্ষান্বিত ঈশ্বৰ। মোক ঘৃণা কৰা লোকসকলৰ সন্তানসকলক
তেওঁলোকৰ পিতৃসকলৰ অপৰাধৰ শাস্তি মই তৃতীয় চতুৰ্থ পুৰুষলৈকে
দিওঁ। ৬ কিন্তু মোক প্ৰেম কৰা আৰু মোৰ আজ্ঞা পালন কৰা সকলক
মই মোৰ বিশ্বাসযোগ্য চুক্তি হাজাৰ হাজাৰ পুৰুষলৈকে দেখাও। ৭
তোমালোকে তোমালোকৰ ঈশ্বৰ যিহোৱাৰ নাম অনৰ্থকৰূপে নলবা;
কিয়নো, যি কোনোৱে তেওঁৰ নাম অনৰ্থকৰূপে লয়, যিহোৱাই তেওঁক
নিৰ্দ্দোষী নকৰিব। ৮ মোৰ উদ্দেশ্যে বিশ্ৰাম-দিন সোঁৱৰণ কৰি পবিত্ৰ
কৰিবা। ৯ ছয় দিন পৰিশ্ৰম কৰি তোমালোকে সকলো কাৰ্য কৰিবা।
১০ কিন্তু সপ্তম দিন তোমালোকৰ ঈশ্বৰ যিহোৱাৰ উদ্দেশ্যে বিশ্ৰাম-
দিন। সেই দিনা তোমালোকে, অথবা তোমালোকৰ পুত্ৰ, ছোৱালী, বা
তোমালোকৰ দাস, বা দাসী, বা তোমালোকৰ পশু, বা তোমালোকৰ
দুৱাৰৰ ভিতৰত থকা বিদেশী, কোনোৱে একো কাম নকৰিবা। ১১
কাৰণ, মই যিহোৱাই আকাশ-মণ্ডল, পৃথিৱী, সমুদ্ৰ, আৰু সেইবোৰত
থকা সকলোকে ছয় দিনত নিৰ্মাণ কৰিলোঁ, আৰু তাৰ পাছত সপ্তম
দিনা বিশ্ৰাম কৰিলোঁ; এই হেতুকে মই যিহোৱাই মোৰ উদ্দেশ্যে
বিশ্ৰাম-দিনক আশীৰ্ব্বাদ কৰি পবিত্ৰ কৰিলোঁ। ১২ তোমালোকৰ ঈশ্বৰ
যিহোৱাই তোমালোকক যি দেশ দিছে, সেই দেশত তোমালোকৰ
আয়ুস দীঘল হ'বলৈ, তোমালোকে তোমালোকৰ পিতৃ-মাতৃক সন্মান
কৰিবা। ১৩ নৰ-বধ নকৰিবা। ১৪ কোনো লোকৰ সৈতে ব্যভিচাৰ
নকৰিবা। ১৫ কাৰো পৰা চুৰ নকৰিবা। ১৬ তোমালোকে তোমালোকৰ

চুবুৰীয়াৰ অহিতে মিছা সাক্ষ্য নিদিবা। ১৭ তোমালোকে তোমালোকৰ
চুবুৰীয়াৰ ঘৰলৈ লোভ নকৰিবা; তোমালোকে তোমালোকৰ চুবুৰীয়াৰ
ভাৰ্যালৈ লোভ নকৰিবা, অথবা তেওঁৰ দাস, তেওঁৰ দাসী, তেওঁৰ গৰু,
তেওঁৰ গাধ, বা তেওঁৰ আন কোনো বস্তুলৈকে লোভ নকৰিবা।" ১৮
তেতিয়া লোকসকলে মেঘ-গৰ্জ্জন, বিজুলী, শিঙাধ্বনি, আৰু পৰ্ব্বত
ধোঁৱাময় হোৱা দেখিলে। লোকসকলে এইদৰে হোৱা দেখি ভয়ত
কম্পমান হৈ তেওঁলোক দূৰত থিয় হ'ল। ১৯ তেওঁলোকে মোচিক
ক'লে, "আপুনিয়ে আমাক কথা কওক; আমি শুনিম। কিন্তু আমাৰ
সৈতে ঈশ্বৰক কথা ক'বলৈ নিদিব, নহ'লে আমি মৰিম।" ২০ তেতিয়া
মোচিয়ে তেওঁলোকক ক'লে, "ভয় নকৰিব; আপোনালোকে যেন
ঈশ্বৰলৈ ভয়ভক্তি ৰাখে আৰু পাপ নকৰে, সেই বাবে আপোনালোকক
পৰীক্ষা কৰিবলৈ তেওঁ আপোনালোকৰ ওচৰলৈ আহিল।" ২১ সেয়ে
লোকসকল দূৰত থিয় হৈ আছিল; কিন্তু মোচিয়ে যি ঠাইত ঈশ্বৰ
আছিল, সেই ঘোৰ অন্ধকাৰৰ ফালে গতি কৰিলে। ২২ যিহোৱাই
মোচিক ক'লে, "তুমি ইস্ৰায়েলী লোকসকলক এই কথা কবা: 'মই যে
স্বৰ্গৰ পৰা তোমালোকৰ সৈতে কথা পাতিলোঁ, তোমালোকে নিজেই
তাক দেখিলা। ২৩ তোমালোকে মোৰ কাষত তোমালোকৰ বাবে আন
কোনো ৰূপৰ বা সোণৰ দেৱমূৰ্তি নাসাজিবা। ২৪ তোমালোকে মোৰ
অৰ্থে মাটিৰ যজ্ঞবেদী নিৰ্মাণ কৰিবা, আৰু তাৰ ওপৰতে তোমালোকৰ
হোম-বলি, সমজুৱা বলি, মেৰ-ছাগ, আৰু ষাঁড়গৰুবোৰ উৎসৰ্গ কৰিবা।
যি ঠাইবোৰত মই মোৰ নাম গৌৰৱম্বানিত কৰিম, সেই সকলো ঠাইতে
মই তোমাৰ ওচৰলৈ আহি তোমাক আশীৰ্ব্বাদ কৰিম। ২৫ তুমি
যদি মোৰ অৰ্থে শিলৰ যজ্ঞবেদী নিৰ্মাণ কৰা, তেনেহলে তুমি সেই
বেদী কটা-শিলেৰে নিৰ্মাণ নকৰিবা; কাৰণ তাৰ ওপৰত যদি তুমি
তোমাৰ অস্ত্ৰ লগোৱা, তেন্তে তুমি তাক অপবিত্ৰহে কৰিবা। ২৬ তোমাৰ
গোপনীয় অংশ যেন দেখা নাযায়, সেই বাবে মোৰ যজ্ঞবেদীলৈ তুমি
খটখটিয়েদি নাযাবা'।"

**২১** "তুমি যিবোৰ বিধি তেওঁলোকৰ আগত প্ৰকাশ কৰিবা, সেয়ে
এই: ২ 'তুমি যদি কোনো ইব্ৰীয়া দাস কিনি লোৱা, তেওঁ ছয় বছৰৰ

বাবে সেৱা কৰিব; কিন্তু সপ্তম বছৰত তেওঁ বিনামূল্যে মুক্ত হৈ যাব। ৩
তেওঁ যদি নিজে আহে, তেনেহ'লে তেওঁ নিজেই মুক্ত হৈ যাব। তেওঁ
যদি বিবাহিত হয়, তেনেহ'লে তেওঁৰ ভাৰ্যা তেওঁৰে সৈতে মুক্ত হৈ
যাব। ৪ যদি তেওঁৰ মালিকে তেওঁক বিয়া কৰাই দিয়ে, আৰু তেওঁ
ল'ৰা বা ছোৱালী জন্ম দিয়ে, তেনেহ'লে সেই ভাৰ্যা আৰু তেওঁৰ সন্তান
সকল মালিকৰ স্বত্বত থাকিব, আৰু তেওঁ নিজেই মুক্ত হৈ যাব লাগিব।
৫ সেই দাসে যদি স্পষ্টৰূপে কয়, 'মই মোৰ মালিকক, মোৰ ভাৰ্যাক,
আৰু মোৰ সন্তানসকলক প্ৰেম কৰোঁ, সেয়ে মই মুক্ত হৈ নাযাওঁ'।
৬ তেতিয়া তেওঁৰ মালিকে তেওঁক ঈশ্বৰৰ ওচৰলৈ আনিব লাগিব।
মালিকে তেওঁক দুৱাৰ বা দুৱাৰৰ চৌকাঠৰ দুই দাঁতিৰ এডাললৈ
আনি, তেওঁৰ মালিকে বেজিৰে তেওঁৰ কাণ ফুটা কৰিব লাগিব।
তেতিয়াহে দাস জনে গোটেই জীৱন তেওঁৰ মালিকৰ সেৱা কৰিব
পাৰিব। ৭ কোনো মানুহে যদি নিজৰ জীয়েকক দাসী হ'বলৈ বিক্ৰী
কৰে, তেনেহ'লে দাসৰ দৰে তেওঁ মুক্ত হৈ যাব নোৱাৰিব। ৮ যিজনে
তাইক নিজৰ কাৰণে মনোনীত কৰি লয়; সেই মালিকক যদি তাই
সন্তুষ্ট কৰিব নোৱাৰে, তেনেহ'লে তেওঁ তাইক ঘূৰাই পঠিয়াব লাগিব।
তেওঁ তাইক বিদেশীক বেচিবৰ অধিকাৰ নাথাকিব। তাইক প্ৰতাৰণা
কৰাৰ কাৰণে তেওঁৰ সেই অধিকাৰ নাথাকিব। ৯ তাইৰ মালিকে যদি
তাইক নিজৰ পুত্ৰৰ বাবে ভাৰ্যা কৰি লয়, তেনেহ'লে তেওঁ তাইক নিজৰ
জীয়েকৰ দৰে ব্যৱহাৰ কৰিব লাগিব। ১০ তেওঁ যদি নিজৰ বাবে আন
এগৰাকী ভাৰ্যা আনে, তেনেহ'লে তেওঁ তাইৰ অন্ন, বস্ত্ৰ, আৰু বিবাহৰ
অধিকাৰৰ বিষয়ে ত্ৰুটি কৰিব নোৱাৰিব। ১১ কিন্তু যদি তেওঁ তাইলৈ
এই তিনিওটা বিষয়ত ত্ৰুটি কৰে, তেনেহ'লে তাই বিনামূল্যে মুক্ত
হৈ যাব পাৰিব। ১২ কোনো মানুহে যদি কোনো মানুহক মাৰোতে
তেওঁৰ মৃত্যু হয়; তেনেহ'লে সেই ব্যক্তিৰ অৱেশ্যে প্ৰাণদণ্ড হ'ব। ১৩
কোনো মানুহে যদি পূৰ্বপৰিকল্পনা নকৰাকৈ মাৰোতে আকস্মিকভাৱে
কাৰো মৃত্যু হয়; তেনেহ'লে তেওঁ পলাই যাব পৰা ঠাই মই নিৰূপণ
কৰিম। ১৪ যদি কোনোবাই ছলেৰে দুঃসাহিয়াল হৈ কোনো লোকক
বধ কৰে, তেনেহ'লে তেওঁক প্ৰাণদণ্ড দিবৰ বাবে, ঈশ্বৰৰ যজ্ঞবেদীত

থাকিলেও তেওঁক লৈ যাব। ১৫ যি কোনোৱে নিজৰ পিতৃ বা মাতৃক প্ৰহাৰ কৰে, তেওঁৰ অৱশ্যে প্ৰাণদণ্ড হ'ব। ১৬ কোনোৱে যদি কোনো মানুহক অপহৰণ কৰি বিক্ৰী কৰে বা সেই মানুহক যদি অপহৰণকাৰীৰ হাতত পোৱা যায়, তেনেহ'লে তেওঁৰো অৱশ্যে প্ৰাণদণ্ড হ'ব। ১৭ যি কোনোৱে নিজৰ পিতৃ বা মাতৃক শাও দিয়ে, তেওঁৰ অৱশ্যেই প্ৰাণদণ্ড হ'ব। ১৮ লোকসকলে বিবাদ কৰোঁতে, এজনে আন জনক শিল দলিয়ালে বা ভুকু মাৰিলে, তেওঁ যদি নমৰি শয্যাগত হয়, ১৯ তাৰ পাছত তেওঁ সুস্থ হৈ লাখুটি ধৰি খোজ কাঢ়িব পৰা হয়, তেতিয়া সেই ব্যক্তিৰ নষ্ট হোৱা সময় আৰু সম্পূৰ্ণ সুস্থতাৰ কাৰণে প্ৰহাৰ কৰা জনে তাৰ মূল্য দিব লাগিব। কিন্তু সেই প্ৰহাৰক জন হত্যাকাৰী বুলি বিবেচিত নহব। ২০ কোনোৱে নিজৰ দাস বা দাসীক লাখুটিৰে মাৰোঁতে, তেওঁৰ যদি মৃত্যু হয়, তেনেহ'লে তেওঁ অৱশ্যে শাস্তি পাব। ২১ তথাপিও তেওঁ যদি এদিন বা দুদিন জীয়াই থাকে, তেনেহ'লে তেওঁ শাস্তি নাপায়; কাৰণ তেওঁ তেওঁৰ দাস হেৰোৱাই কষ্ট ভুগিব। ২২ পুৰুষসকলে ইজনে সিজনৰ লগত বিবাদ কৰোঁতে যদি কোনো গৰ্ভৱতী মহিলাই আঘাত পাই তেওঁৰ গৰ্ভপাত হয়, কিন্তু তেওঁৰ যদি আন কোনো ঠাইত আঘাত নহয়, তেনেহ'লে দোষী পুৰুষজনে জৰিমনা দিব লাগিব। সেই মহিলাৰ স্বামীয়ে যদি তেওঁৰ পৰা জৰিমনা বিচাৰে, তেনেহ'লে বিচাৰকৰ্ত্তাসকলে নিৰূপন কৰা অনুসাৰে জৰিমনা দিব লাগিব। ২৩ কিন্তু যদি গভীৰ আঘাত হয়, তেনেহ'লে প্ৰাণৰ সলনি প্ৰাণ, ২৪ চকুৰ সলনি চকু, দাঁতৰ সলনি দাঁত, হাতৰ সলনি হাত, ভৰিৰ সলনি ভৰি, ২৫ জুইৰ আঘাতৰ সলনি জুইৰ আঘাত, আঘাতৰ সলনি আঘাত, বা থেতেলা খোৱাৰ সলনি থেতেলা খোৱা, দিব লাগিব। ২৬ কোনো লোকে যদি নিজৰ দাস বা দাসীৰ চকুত আঘাত কৰোঁতে চকু নষ্ট হয়, তেনেহ'লে তেওঁৰ চকুৰ বাবে তেওঁক ক্ষতিপূৰণ দি মুক্ত কৰি পঠাই দিব। ২৭ তেওঁ যদি মাৰোঁতে নিজৰ দাস বা দাসীৰ দাঁত সৰে, তেনেহ'লে সেই দাঁতৰ কাৰণে ক্ষতিপূৰণ দি তেওঁ তেওঁক মুক্ত কৰি পঠাই দিব। ২৮ কোনো গৰুৱে যদি কোনো পুৰুষ বা মহিলাক শিঙেৰে খোঁচোতে, তেওঁৰ মৃত্যু হয়, তেনেহ'লে লোকসকলে সেই

গৰুটোক অৱশ্যে শিল দলিয়াই বধ কৰিব। সেই গৰুৰ মাংস খাব নোৱাৰিব; কিন্তু গৰুৰ গৰাকী সেই দোষত নিৰ্দোষী হ'ব। ২৯ কিন্তু যদি সেই গৰুৱে আগেও শিঙেৰে খোঁচাৰ অভ্যাস আছে, আৰু গৰাকীক সেই বিষয়ে সাৱধান কৰি দিয়াৰ পাছতো যদি গৰাকীয়ে গৰুটোক সাৱধানে নাৰাখে, আৰু সেই গৰুৱে যদি কোনো পুৰুষ বা মহিলাক খুচি মাৰে, তেনেহ'লে সেই গৰুটোক শিল দলিয়াই বধ কৰা হ'ব, লগতে গৰুটোৰ গৰাকীকো প্ৰাণদণ্ড দিয়া হ'ব। ৩০ তেওঁৰ পৰা যদি মূল্য বিচাৰা হয়, তেনেহ'লে তেওঁ দিবলগীয়া মূল্য দিবই লাগিব। ৩১ সেই গৰুৱে যদি কোনো লোকৰ পুত্ৰ বা জীয়েকক খোঁচে, তেনেহ'লে এই নিয়ম অনুসাৰেই গৰুৰ গৰাকীয়ে তেওঁলৈ কৰিব লাগিব। ৩২ সেই গৰুৱে যদি কোনো লোকৰ দাস বা দাসীক খোঁচে, তেনেহ'লে গৰুৰ গৰাকীয়ে ত্ৰিশ চেকল ৰূপ দিব লাগিব, আৰু গৰুটোক শিল দলিয়াই বধ কৰা হ'ব। ৩৩ কোনো লোকে যদি গাত মুকলি কৰি ৰাখে, বা গাত খানি তাক ঢাকি নথয়, আৰু সেই গাতত যদি কোনো গৰু বা গাধ পৰে, ৩৪ তেনেহ'লে সেই গাতৰ গৰাকীয়ে ক্ষতিপূৰণ দিব লাগিব। তেওঁ মৃত জন্তুটোৰ গৰাকীক ধন দিব লাগিব, কিন্তু সেই মৃত জন্তুটো তেওঁৰ হ'ব। ৩৫ এজনৰ গৰুৱে যদি আন জনৰ গৰুক খোঁচোতে, সেই গৰু মৰে, তেনেহ'লে তেওঁলোকে জীয়াই থকা গৰুটো বেচি তাৰ মূল্য দুভাগ কৰিব, আৰু সেই মৰা গৰুটোকো দুভাগ কৰি লব। ৩৬ কিন্তু যদি সেই গৰুৱে আগেও খোঁচাৰ অভ্যাস আছে, আৰু সেই কথা গৰাকীয়ে জানিবলৈ পায়ো গৰুটোক সাৱধানে নেৰাখে, তেনেহ'লে তেওঁ সেই গৰুৰ সলনি আন গৰু দি ক্ষতিপূৰণ কৰিব লাগিব, আৰু মৰা গৰুটো তেওঁৰ নিজৰ হ'ব।"

**২২** কোনো লোকে যদি গৰু বা মেৰ-ছাগ চুৰ কৰি বধ কৰে অথবা বিক্ৰী কৰে, তেনেহ'লে তেওঁ এটা গৰুৰ সলনি পাঁচটা গৰু, আৰু এটা মেৰ-ছাগৰ সলনি চাৰিটা মেৰ-ছাগ দিব লাগিব। ২ চোৰে সিন্ধি দিওঁতে যদি ধৰা পৰে, আৰু তেওঁক প্ৰহাৰ কৰোঁতে যদি তেওঁ মৰে, তেনেহ'লে তেওঁৰ ৰক্তপাতৰ দোষত কোনো লোকক হত্যাকাৰী বুলি গণিত কৰা নহ'ব। ৩ কিন্তু যদি সিন্ধি দিয়াৰ আগতে সূৰ্য উদয় হয়, তেনেহ'লে

তেওঁৰ ৰক্তপাতৰ দোষত হত্যাকাৰীজন দোষী হ'ব। চোৰে অৱশ্যে ক্ষতিপূৰণ কৰিবই লাগিব। তেওঁৰ যদি একো নাথাকে, তেনেহ'লে চোৰি কাৰ্যৰ বাবে তেওঁ নিজে বেচা যাব। ৪ চোৰে চুৰ কৰা গৰু, গাধ, বা মেৰ-ছাগ, যদি তেওঁৰ হাতত জীয়াই থকা পোৱা যায়, তেনেহ'লে তেওঁ তাৰ পৰিৱৰ্তে দুগুণ দিব লাগিব। ৫ কোনো লোকে যদি শস্য-ক্ষেত্ৰত বা দ্ৰাক্ষাবাৰীত পশু চৰায় বা নিজৰ পশু মেলি দিওঁতে যদি আনৰ পথাৰত গৈ চৰে, তেনেহ'লে তেওঁ নিজৰ পথাৰৰ উত্তম শস্য, বা নিজৰ দ্ৰাক্ষাবাৰীৰ উত্তম ফল দি ক্ষতিপূৰণ কৰিব লাগিব। ৬ জুই বিস্তাৰিত হৈ কাঁইটনিত লাগি যদি কোনো লোকৰ দমাই থোৱা শস্য, বা পথাৰৰ শস্য, বা পথাৰ গ্ৰাস কৰে, তেনেহ'লে যি জনে সেই জুই লগাবলৈ আৰম্ভ কৰিছিল, তেওঁ অৱশ্যে ক্ষতিপূৰণ দিব লাগিব। ৭ কোনো লোকে যদি ধন বা বস্তু আন লোকৰ হাতত থ'বলৈ দিয়ে, আৰু সেয়ে যদি সেই লোকৰ ঘৰৰ পৰা চুৰি হয়, তেনেহ'লে চোৰ ধৰা পৰিলে, চোৰে তাৰ দুগুণ লাগিব দিব। ৮ কিন্তু যদি চোৰ ধৰা নপৰে, তেনেহ'লে চুবুৰীয়াৰ সম্পতিৰ ওপৰত তেওঁ হাত দিছে নে নাই সেই কথা প্ৰমান কৰিবলৈ ঘৰৰ গৰাকী বিচাৰকৰ্ত্তাৰ ওচৰলৈ যাব লাগিব। ৯ কোনো বস্তুৰ বাবে হোৱা সকলো বিবাদ, যেনে গৰু, গাধ, মেৰ-ছাগ বা কাপোৰ আদি যি কোনো হেৰোৱা বস্তুৰ বিষয়ে "এই বস্তু মোৰ" বুলি কোৱা দুয়ো পক্ষৰ লোক বিচাৰকৰ্ত্তাৰ ওচৰলৈ আহিব লাগিব। এই বিষয়ত বিচাৰকৰ্ত্তাই যিজনক দোষী সাব্যস্ত কৰিব, তেওঁ তেওঁৰ চুবুৰীয়াক তাৰ দুগুণ দিব লাগিব। ১০ কোনো লোকে যদি নিজৰ চুবুৰীয়াক এটা গাধ বা গৰু, বা মেৰ-ছাগ বা আন কোনো পশু ৰাখিবলৈ দিয়ে, আৰু কোনোৱে নেদেখাকৈ সেই পশু মৰে, বা আঘাত পায়, অথবা কোনোৱে যদি লৈ যায়, ১১ তেনেহ'লে মই চুবুৰীয়াৰ বস্তুত হাত দিয়া নাই, এই বুলি এজনে আন জনৰ আগত যিহোৱাৰ নামেৰে শপত খাব। পশুৰ গৰাকীয়ে সেই শপতত মান্তি হ'ব লাগিব; আৰু আন জনে তাৰ বাবে ক্ষতিপূৰণ দিব নালাগিব। ১২ কিন্তু যদি সেই পশু তেওঁৰ ঘৰৰ পৰা চুৰি হয়, তেনেহ'লে তেওঁ তাৰ গৰাকীক ক্ষতিপূৰণ দিব লাগিব। ১৩ যদি কোনো জন্তুৱে সেই পশুটো ছিন্ন

বিছিন্ন কৰি টুকুৰা কৰে, তেনেহ'লে আনজনে প্ৰমাণৰ বাবে পশুটোক আনিব লাগে। তেওঁ ছিৰা পশুৰ বাবে ক্ষতিপূৰণ দিব নালাগিব। ১৪ কোনো লোকে যদি চুবুৰীয়াৰ কোনো পশু ধাৰত আনে, আৰু গৰাকী নথকা অৱস্থাত সেই পশুটোৱে আঘাত পায়, বা মৰে, তেনেহ'লে তেওঁ অৱশ্যে ক্ষতিপূৰণ দিব লাগিব। ১৫ কিন্তু যদি গৰাকী পশুটোৰ লগত থাকে, তেনেহ'লে তেওঁ ক্ষতিপূৰণ দিব নালাগিব; পশুটো যদি ভাড়াত অনা হয়, তেনেহ'লে তাৰ বাবে ভাড়াৰ মূল্য দিব লাগিব। ১৬ কোনো লোকে যদি তেওঁলৈ বাগ্দান নকৰা কুমাৰী যুৱতীৰ সৈতে শয়ন কৰে, তেনেহ'লে ইয়াৰ বাবে তেওঁ অৱশ্যেই যুৱতী গৰাকীৰ গা ধন দি তেওঁক নিজৰ ভাৰ্যা কৰি ল'ব লাগিব। ১৭ যদি যুৱতী গৰাকীৰ পিতৃয়ে সেই লোকজনলৈ বিয়া দিবলৈ অসন্মত হয়, তেনেহ'লে তেওঁ যুৱতী গৰাকীৰ কুমাৰীত্বৰ গা-ধন অনুসাৰে ধন দিব লাগিব। ১৮ তোমালোকে মায়াকৰ্ম কৰা সকলক জীয়াই থাকিব নিদিবা। ১৯ পশুৰ সৈতে যৌন সম্পৰ্ক কৰা লোকক অৱশ্যে প্ৰাণদণ্ড দিয়া হ'ব। ২০ যি জনে যিহোৱাৰ বাহিৰে আন কোনো দেৱতাৰ আগত বলিদান কৰে, তেওঁ নিঃশেষে বিনষ্ট হ'ব। ২১ তোমালোকে বিদেশীক অন্যায় নকৰিবা, আৰু তেওঁলোকক উপদ্ৰৱ নকৰিবা; কিয়নো মিচৰ দেশত তোমালোকো বিদেশী হৈ আছিল। ২২ তোমালোকে বিধৱা আৰু পিতৃহীন সন্তানক বেয়া ব্যৱহাৰ নকৰিবা। ২৩ তেওঁলোকক যদি তোমালোকে কষ্ট দিয়া, আৰু তেওঁলোকে যদি মোৰ আগত কাতৰোক্তি কৰে, তেনেহ'লে মই যিহোৱাই অৱশ্যে তেওঁলোকৰ কাতৰোক্তি শুনিম। ২৪ মোৰ ক্ৰোধ প্ৰজ্বলিত হ'ব, আৰু মই তোমালোকক তৰোৱালেৰে বধ কৰিম। তোমালোকৰ ভাৰ্যাসকল বিধৱা, আৰু সন্তান সকল পিতৃহীন হ'ব। ২৫ তোমালোকে যদি মোৰ লোকসকলৰ মাজত থকা কোনো দৰিদ্ৰ লোকক ধন ধাৰে দিয়া, তেনেহ'লে তোমালোকে সুতলৈ ধাৰ দিয়া অথবা সুত আদায় কৰা লোকৰ দৰে নহ'বা। ২৬ তোমালোকে যদি কেতিয়াবা তোমালোকৰ চুবুৰীয়াৰ পৰা কাপোৰ বন্ধকত লোৱা, তেনেহ'লে বেলি মাৰ যোৱাৰ আগেয়ে তাক ঘূৰাই দিব লাগিব। ২৭ কাৰণ সেই কাপোৰখন তেওঁৰ একমাত্ৰ গা ঢকা কাপোৰ; সেই খন

নহ’লে তেওঁ কিহত শুব? তেওঁ যেতিয়া মোৰ আগত কাতৰোক্তি কৰিব, তেতিয়া মই তেওঁৰ কাতৰোক্তি শুনিম; কাৰণ মই দয়ালু। ২৮ তোমালোকৰ ঈশ্বৰ যি মই, মোক নিন্দা নকৰিবা, নাইবা তোমালোকৰ শাসনকৰ্ত্তাক শাও নিদিবা। ২৯ তোমালোকৰ শস্য, বা পেয় দ্ৰব্যৰ পৰা উৎসৰ্গ কৰিবলৈ তোমালোকে পলম কৰিব নালাগে। তোমালোকৰ প্ৰথমে জন্ম হোৱা পুত্ৰক মোৰ অৰ্থে দিব লাগিব। ৩০ তোমালোকৰ গৰু আৰু মেৰ-ছাগৰ জাকৰ ক্ষেত্ৰতো সেইদৰেই কৰিবা। সেই পশুবোৰ সাত দিন নিজৰ মাকৰ লগত থাকিব, কিন্তু অষ্টম দিনা তোমালোকে সেইবোৰ মোক দিব লাগিব। ৩১ তোমালোক মোৰ উদ্দেশ্যে পবিত্ৰ লোক হ’বা। সেয়ে পথাৰত জন্তুৱে ছিৰা ছিৰ কৰা যিকোনো মাংস তোমালোকে নাখাবা; তাৰ পৰিৱৰ্তে কুকুৰৰ আগত পেলাই দিবা।

২৩ তোমালোকে কোনো লোকৰ অহিতে মিছা কথা নকবা। অন্যায় সাক্ষী দিবলৈ তোমালোকে দুৰ্জন লোকৰ লগত সহযোগ নকৰিবা। ২ তোমালোকে কু-কৰ্ম কৰিবলৈ জনসাধাৰণক অনুসৰণ নকৰিবা; নাইবা অন্যায় বিচাৰ কৰিবলৈ জনসাধাৰণৰ পক্ষত থাকি সিদ্ধান্ত নলবা। ৩ তোমালোকে কোনো দৰিদ্ৰ লোকৰ বিচাৰত তেওঁৰ পক্ষ নল’বা। ৪ তোমালোকৰ শত্ৰুৰ গৰু বা গাধ বাট হেৰুওৱা দেখিলে, তোমালোকে অৱশ্যে তাক তেওঁৰ ওচৰলৈ উভতাই লৈ যাবা। ৫ তোমালোকে যদি তোমালোকক ঘৃণা কৰা কোনো লোকৰ মালবাহী গাধক বস্তুৰ ভৰত মাটিত পৰা দেখা, তেনেহ’লে সেই লোকজনক তোমালোকে এৰি থৈ নাযাবা। তেওঁৰ গাধ, লগতে তেওঁকো নিশ্চয় সহায় কৰিবা। ৬ তোমালোকে কোনো দৰিদ্ৰ লোকৰ বিচাৰত তেওঁৰ প্ৰতি অন্যায় বিচাৰ নকৰিবা। ৭ মিছা অভিযোগ দিওঁতে আনলোকৰ সৈতে সহযোগ নকৰিবা, নিৰ্দ্দোষী বা ধাৰ্মিক লোকক হত্যা নকৰিবা; কাৰণ মই দুষ্টলোকক নিৰ্দ্দোষী নকৰিম। ৮ তোমালোকে ভেটী নলবা; কাৰণ ভেঁটীয়ে, ভেঁটীলোৱা সকলক অন্ধ কৰে, আৰু ধাৰ্মিক সকলৰ কথা বিপথগামী কৰে। ৯ তোমালোকে বিদেশী লোকক উপদ্ৰৱ নকৰিবা; কাৰণ তোমোলোকো মিচৰ দেশত বিদেশী হৈ আছিলা, সেয়ে বিদেশী লোকৰ মনৰ কথা তোমালোকে জানিব লাগে। ১০

তোমালোকে তোমালোকৰ মাটিত ছয় বছৰৰ বাবে গুটি সিঁচিবা, আৰু তাত উৎপন্ন হোৱা শস্য চপাবা। ১১ কিন্তু সপ্তম বছৰত, সেই মাটি ছন পৰি থাকিবলৈ দিবা; সেয়ে তোমালোকৰ মাজৰ দৰিদ্ৰ লোকসকলে খাবলৈ পাব। তেওঁলোকে যি এৰিব, তাক বনৰীয়া পশুবোৰে খাব। এইদৰেই তোমালোকৰ দ্ৰাক্ষাবাৰী আৰু জিতগছৰ বাৰীৰ ক্ষেত্ৰতো কৰিবা। ১২ তোমালোকে ছয় দিন নিজৰ কাম কৰিবা, কিন্তু সপ্তম দিনা বিশ্ৰাম কৰিবা। এইদৰে কৰিবা; যাতে তোমালোকৰ গৰু, গাধ, তোমালোকৰ দাসীৰ পুত্ৰ আৰু যিকোনো বিদেশী লোকে বিশ্ৰাম ল'ব পাৰিব আৰু সতেজতা লাভ কৰিব। ১৩ মই তোমালোকক যি সকলো কথা কলোঁ, সেই সকলো কথাত মনোযোগ দিবা। তোমালোকে আন দেৱতাবোৰৰ নাম উল্লেখ নকৰিবা, নাইবা তোমালোকৰ মুখৰ পৰা সেইবোৰৰ নাম শুনা নাযাওক। ১৪ তোমালোকে প্ৰতি বছৰত তিনিবাৰ মোৰ অৰ্থে উৎসৱ পালন কৰিবলৈ নিৰ্দ্দিষ্ট স্থানলৈ আহিব লাগিব। ১৫ তোমালোকে খমীৰ নিদিয়া পিঠাৰ উৎসৱ পালন কৰিবা। মই দিয়া আজ্ঞা অনুসাৰে, সাত দিন খমীৰ নিদিয়া পিঠা ভোজন কৰিবা। সেই সময়তে এই উদ্দেশ্যৰ কাৰণে নিৰ্দ্দিষ্ট কৰা আবীব মাহত মোৰ সন্মুখত উপস্থিত হ'বা। কাৰণ এই মাহতে তোমালোক মিচৰ দেশৰ পৰা বাহিৰ হৈ আহিলা। কিন্তু তোমালোকে শুদা হাতে মোৰ ওচৰত উপস্থিত হ'ব নালাগে। ১৬ তোমালোকে শস্য দোৱাৰ উৎসৱ, অৰ্থাৎ পথাৰত যি গুটি সিঁচিলা, সেই পৰিশ্ৰমৰ প্ৰথম ফলৰ উৎসৱ পালন কৰিব লাগিব; আৰু বছৰৰ শেষত তোমালোকে উৎপন্ন কৰা খেতিৰ ফল চপোৱা সময়ত, ফল চপোৱা উৎসৱ পালন কৰিব লাগিব। ১৭ তোমালোকৰ পুৰুষসকলে প্ৰতি বছৰে তিনি বাৰ, যিহোৱাৰ আগত উপস্থিত হ'ব লাগিব। ১৮ তোমালোকে খমীৰ দিয়া পিঠাৰে সৈতে বলিৰ তেজ মোলৈ উৎসৰ্গ নকৰিবা। মোৰ উৎসৱৰ সময়ত বলিদান কৰা পশুৰ চৰ্বি গোটেই ৰাতিৰ পৰা ৰাতিপুৱালৈকে অৱশিষ্ট থাকিব নালাগে। ১৯ তোমালোকৰ মাটিৰ প্ৰথম ফলৰ উত্তম ভাগ তোমালোকৰ ঈশ্বৰ যিহোৱাৰ গৃহলৈ আনিবা। ছাগলী পোৱালিৰ মাংস তাৰ মাকৰ গাখীৰৰ লগত নিসিজাবা। ২০ যাত্ৰা পথত তোমালোকক সুৰক্ষা

দান কৰিবলৈ, আৰু মই যি ঠাই তোমালোকৰ বাবে যুগুত কৰিছোঁ, সেই ঠাইলৈ তোমালোকক লৈ যাবলৈ, মই তোমালোকৰ আগে আগে এজন দূত পঠাম। ২১ তেওঁলৈ মনোযোগী হ'বা আৰু তেওঁক মানি চলিবা। তেওঁক উত্তেজিত নকৰিবা, কাৰণ তেওঁ তোমালোকৰ অপৰাধ ক্ষমা নকৰিব। মোৰ নাম তেওঁত আছে। ২২ তোমালোকে যদি নিশ্চয়ে তেওঁৰ কথা শুনা, আৰু মই যি কলোঁ সেই সকলোকে কৰা, তেনেহ'লে মই তোমালোকৰ শত্ৰুবোৰৰ শত্ৰু আৰু প্ৰতিদ্বন্দীৰ প্ৰতিদ্বন্দী হম। ২৩ মোৰ দূত তোমালোকৰ আগে আগে যাব, আৰু ইমোৰীয়া, হিত্তীয়া, পৰিজ্জীয়া, কনানীয়া, হিব্বীয়া, আৰু যিবুচীয়া লোকসকলৰ দেশলৈ তোমালোকক লৈ যাব। মই তেওঁলোকক ধ্বংস কৰিম। ২৪ তোমালোকে তেওঁলোকৰ দেৱতাবোৰৰ আগত প্ৰণিপাত নকৰিবা, সেৱা পূজাও নকৰিবা বা তেওঁলোকে কৰা কাৰ্যৰ দৰে কোনো কাৰ্য নকৰিবা। তাৰ পৰিৱৰ্তে সেইবোৰক সম্পূৰ্ণকৈ বিনষ্ট কৰিবা, আৰু তেওঁলোকৰ শিলৰ স্তম্ভবোৰ একেবাৰে ভাঙি গুড়ি কৰি পেলাবা। ২৫ তোমালোকে নিজৰ ঈশ্বৰ যিহোৱাৰ সেৱা কৰিবা। তোমালোকে এইদৰে কৰিলে মই তোমালোকৰ অন্ন-জলক আশীৰ্ব্বাদ কৰিম। মই তোমালোকৰ মাজৰ পৰা ৰোগ দূৰ কৰিম। ২৬ তোমালোকৰ দেশত কোনো মহিলাৰ গৰ্ভপাত নহ'ব, আৰু কোনো বাঁজী হৈ নাথাকিব। মই তোমালোকক দীৰ্ঘায়ু দিম। ২৭ তোমালোক যি দেশলৈ যাবা সেই দেশৰ লোকসকলৰ মনত মই মোৰ ভয় জন্মাম। তোমালোকে যি লোকসকলক ল'গ পাবা, সেই লোকসকলক মই বধ কৰিম। মই তোমালোকৰ সকলো শত্ৰুবোৰক তোমালোকৰ ভয়ত তোমালোকৰ পৰা দূৰ কৰিম। ২৮ মই তোমালোকৰ আগেয়ে কোদো পঠাম; সেয়ে সেইবোৰে হিব্বীয়া, কনানীয়া, আৰু হিত্তীয়া সকলক তোমালোকৰ আগৰ পৰা খেদি পঠিয়াব। ২৯ দেশ যেন পৰিত্যক্ত নহয়, আৰু তোমালোকৰ বিৰুদ্ধে বনৰীয়া জন্তুবোৰ যেন বৃদ্ধি নাপায়, সেই বাবে মই একে বছৰতে তেওঁলোকক তোমালোকৰ আগৰ পৰা খেদি নপঠিয়াম। ৩০ তাৰ পৰিৱৰ্তে তোমালোক বৃদ্ধি পাই দেশ অধিকাৰ নকৰা মানে, মই তেওঁলোকক তোমালোকৰ আগৰ পৰা অলপ অলপকৈ বাহিৰলৈ

খেদি থাকিম। ৩১ মই চূফ সাগৰৰ পৰা পলেষ্টীয়াসকলৰ সমুদ্ৰলৈকে,
আৰু মৰুভূমিৰ পৰা ফৰাৎ নদীলৈকে তোমালোকৰ সীমা নিৰূপণ
কৰিম। সেই দেশ নিবাসী সকলৰ ওপৰত মই তোমালোকক জয়ী
কৰিম। তোমালোকে তোমালোকৰ আগৰ পৰা তেওঁলোকক খেদি
বাহিৰ কৰিবা। ৩২ তোমালোকে তেওঁলোকৰ সৈতে, বা তেওঁলোকৰ
দেৱতাবোৰৰ সৈতে কোনো নিয়ম স্থিৰ নকৰিবা। ৩৩ তেওঁলোকে
তোমালোকৰ দেশত বাস কৰিব নোৱাৰিব; বাস কৰিলে, তেওঁলোকে
তোমালোকক মোৰ বিৰুদ্ধে পাপ কৰাব। কিয়নো তুমি যদি তেওঁলোকৰ
দেৱতাবোৰক পূজা কৰা, তেনেহ'লে নিশ্চয়ে তোমালোকলৈ সেয়ে
ফান্দস্বৰূপ হ'ব।

**২৪** যিহোৱাই মোচিক কলে, "তুমি, হাৰোণ, নাদব, অবীহূ, আৰু
ইস্ৰায়েলৰ সত্তৰজন পৰিচাৰক মোৰ ওচৰলৈ উঠি আহাঁ; আৰু
তোমালোকে দূৰৰে পৰা মোক আৰাধনা কৰা। ২ কেৱল মোচিহে
মোৰ ওচৰলৈ আহিব। আন লোকসকল ওচৰলৈ আহিব নালাগে; বা
লোকসকল তেওঁৰ লগত ওপৰলৈ উঠি আহিব নালাগে।" ৩ তেতিয়া
মোচিয়ে গৈ, যিহোৱাৰ সকলো বাক্য আৰু শাসন প্ৰণালীৰ কথা
লোকসকলক ক'লে। সকলোৱে একে লগে উত্তৰ দি ক'লে, "যিহোৱাই
কোৱা সকলো কথা আমি পালন কৰিম।" ৪ তাৰ পাছত মোচিয়ে
যিহোৱাৰ সকলো বাক্য লিখিলে। ৰাতিপুৱাই উঠি, মোচিয়ে পৰ্ব্বতৰ
তলত এটা যজ্ঞবেদী আৰু ইস্ৰায়েলৰ বাৰ ফৈদ অনুসাৰে বাৰটা স্তম্ভ
নিৰ্ম্মাণ কৰিলে। ৫ তেওঁ ইস্ৰায়েলী লোকসকলৰ মাজৰ কিছুমান
যুৱকক যিহোৱাৰ উদ্দেশ্যে হোমবলি আৰু মঙ্গলাৰ্থক বলিস্বৰূপে ভতৰা
গৰু উৎসৰ্গ কৰিবলৈ পঠিয়ালে। ৬ মোচিয়ে তেজৰ আধা অংশ,
কেইটামান চৰিয়াত থলে, আৰু বাকি আধা অংশ বেদীৰ ওপৰত
ছটিয়াই দিলে। ৭ তেওঁ নিয়ম-পুস্তকখন ল'লে লোকসকলে শুনাকৈ
পাঠ কৰিলে। তেওঁলোকে ক'লে, "যিহোৱাই যি যি সকলো কৈছে,
সেই সকলোকে আমি পালন কৰিম, আৰু আমি তেওঁৰ আজ্ঞাধীন
হম।" ৮ তাৰ পাছত মোচিয়ে সেই তেজ লৈ, লোকসকলৰ ওপৰত
ছটিয়াই দিলে। মোচিয়ে ক'লে, "যিহোৱাই এই সকলো বাক্যৰ সৈতে

আপোনালোকক দিয়া প্ৰতিজ্ঞাৰ যি নিয়ম স্থাপন কৰিলে, এয়ে সেই
নিয়মৰ তেজ।” ৯ তাৰ পাছত মোচি, হাৰোণ, নাদব, অবীহূ, আৰু
ইস্ৰায়েলৰ মাজৰ সত্তৰ জন পৰিচাৰক পৰ্ব্বতৰ ওপৰলৈ উঠি গ’ল।
১০ তেওঁলোকে ইস্ৰায়েলৰ ঈশ্বৰৰ দৰ্শন পালে। নীলা আকাশৰ দৰে
স্বচ্ছ নীলকান্ত বাখৰেৰে তৈয়াৰী বাটত তেওঁ থিয় হৈ আছিল। ১১
ঈশ্বৰে ক্ৰোধেৰে ইস্ৰায়েলী মুখ্যলোক সকলৰ ওপৰত হাত নিদিলে।
তেওঁলোকে ঈশ্বৰৰ দৰ্শন পালে আৰু তেওঁলোকে ভোজন পান কৰিলে।
১২ যিহোৱাই মোচিক কলে, “তুমি পৰ্ব্বতলৈ মোৰ ওচৰলৈ উঠি আহাঁ,
আৰু তাতে থাকা। মই লিখা ব্যৱস্থা আৰু আজ্ঞাৰ শিলৰ ফলি মই
তোমাক দিম; যাতে সেইবোৰ তুমি তেওঁলোকক শিকাব পাৰা।” ১৩
তেতিয়া মোচিয়ে আৰু তেওঁৰ পৰিচাৰক যিহোচূৱাক লগত লৈ ঈশ্বৰৰ
পৰ্ব্বতলৈ উঠি গ’ল। ১৪ মোচিয়ে পৰিচাৰক সকলক ক’লে, “আমি
আপোনালোকৰ ওচৰলৈ উভটি নহালৈকে, আপোনালোক ইয়াতে
থাকক। হাৰোণ আৰু হূৰ আপোনালোকৰ লগত আছে। কোনো জনৰ
যদি কিবা বিবাদ থাকে, তেওঁক তেওঁলোকৰ ওচৰলৈ যাব দিব।” ১৫
সেই বুলি কৈ, মোচি পৰ্ব্বতলৈ উঠি গ’ল, আৰু মেঘে পৰ্ব্বত ঢাকি
ধৰিলে। ১৬ সেই চীনয় পৰ্ব্বতৰ ওপৰত যিহোৱাৰ প্ৰতাপ স্থাপিত
আছিল, আৰু ছয় দিনলৈকে মেঘে পৰ্ব্বত ঢাকি ৰাখিছিল। সপ্তম দিনত
তেওঁ মেঘৰ মাজৰ পৰা মোচিক মাতিলে। ১৭ ইস্ৰায়েলী লোকসকলৰ
দৃষ্টিত, যিহোৱাৰ প্ৰতাপ পৰ্ব্বতৰ ওপৰত গ্ৰাসকাৰী অগ্নিৰ দৰে
প্ৰকাশিত হ’ল। ১৮ মোচি মেঘৰ মাজত সোমাই পৰ্ব্বতলৈ উঠি গ’ল।
মোচি সেই পৰ্ব্বততে চল্লিশ দিন আৰু চল্লিশ ৰাতি থাকিল।

**২৫** যিহোৱাই মোচিক ক’লে, ২ “মনৰ ইচ্ছাৰে প্ৰভাৱিত হোৱা
প্ৰতিজন ইস্ৰায়েলী লোকৰ পৰা মোৰ অৰ্থে দান গ্ৰহণ কৰিবলৈ ক’বা।
তুমি নিশ্চয়কৈ মোৰ অৰ্থে এই দান গ্ৰহণ কৰিবা। ৩ তুমি তেওঁলোকৰ
পৰা গ্ৰহণ কৰিব লগা দান এইবোৰ: সোণ, ৰূপ, পিতল, ৪ আৰু নীলা,
বেঙুনীয়া, আৰু ৰঙা বৰণীয়া সূতা, মিহি শণ সূতা, ছাগলীৰ নোম,
৫ ৰঙা ৰং কৰা মেৰ-ছাগ পোৱালীৰ ছাল, গৰুৰ মিহি ছাল, চিটীম
কাঠ, ৬ পবিত্ৰ প্ৰদীপৰ বাবে তেল, অভিষেক তেলৰ বাবে মচলা,

আৰু সুগন্ধি ধূপ, ৭ এফোদ আৰু বুকুপতাত লগাবৰ বাবে গোমেদক
আৰু আন বহুমূল্য বাখৰ। ৮ মই তেওঁলোকৰ মাজত বাস কৰিবৰ
অৰ্থে, তেওঁলোকক মোৰ বাবে এটা ধৰ্মধাম নিৰ্মাণ কৰিবলৈ কোৱা।
৯ সেই আবাস আৰু তাৰ সকলো বস্তুৰ যি নমুনা মই তোমাক দেখুৱাম,
তোমালোকে সেই নমুনাৰ দৰেই সকলো কৰিবা। ১০ তেওঁলোকে
চিটীম কাঠেৰে আঢ়ৈ হাত দীঘল, ডেৰ হাত বহল আৰু ডেৰ হাত
ওখকৈ এটা নিয়ম-চন্দুক সাজিব। ১১ তুমি সেই নিয়ম চন্দুকৰ ভিতৰে
বাহিৰে শুদ্ধ সোণৰ পতা মাৰিবা; আৰু তাৰ ওপৰৰ চাৰিওফালৰ
সীমা সোণেৰে তৈয়াৰ কৰিবা। ১২ ইয়াৰ বাবে সোণৰ চাৰিটা আঙঠি
সাঁচত বনাবা, আৰু নিয়ম চন্দুকৰ এফালে দুটা, আৰু আন ফালে
দুটা, এইদৰে চাৰিওটা খুৰাত লগাবা। ১৩ তুমি চিটীম কাঠৰ দুডাল
কানমাৰি সাজি, তাতো সোণৰ পতা মাৰিবা। ১৪ নিয়ম চন্দুক বৈ
নিবৰ বাবে, সেই কানমাৰি নিয়ম-চন্দুকৰ দুয়ো ফালে থকা আঙঠিত
সুমুৱাবা। ১৫ সেই কানমাৰি নিয়ম-চন্দুকৰ আঙঠিৰ ভিতৰতে থাকিব
লাগে, তাৰ পৰা উলিয়াব নালাগে। ১৬ মই তোমাক যি সাক্ষ্য ফলি
দিম, সেই সাক্ষ্য ফলি নিয়ম-চন্দুকৰ ভিতৰত ৰাখিবা। ১৭ তাৰ পাছত
তুমি শুদ্ধ সোণৰ আঢ়ৈ হাত দীঘল, ডেৰ হাত বহল এখন পাপাবৰণ
সাজিবা। ১৮ তুমি সোণ পিটি দুটা কৰূব সাজিবা; পাপাবৰণৰ দুই
মুৰত সেই কৰূব দুটা লগাবা। ১৯ এক মুৰত এটা কৰূব আৰু আন
মুৰত আনটো কৰূব লগাবা; পাপাবৰণৰ দুই মুৰত তাৰে সৈতে একে
ডোখৰ সোণতে সেই দুটা কৰূব সাজিবা। ২০ কৰূব দুটাই ওপৰলৈ
ডেউকা মেলি নিজৰ ডেউকাৰে পাপাবৰণক ঢাকিব; সেই কেইটা
মুখামুখি হৈ থাকিব; আৰু কৰূব দুটাৰ দৃষ্টি পাপাবৰণৰ মাজত থাকিব।
২১ তুমি সেই পাপাবৰণ, সেই নিয়ম চন্দুকৰ ওপৰত ৰাখিবা; আৰু
মই তোমাক যি সাক্ষ্য-ফলি দিম, সেই ফলি নিয়ম চন্দুকৰ ভিতৰত
থ'বা। ২২ মই সেই নিয়ম চন্দুকতে তোমাৰে সৈতে সাক্ষাৎ কৰিম।
পাপাবৰণৰ ওপৰৰ পৰা, সাক্ষ্য ফলিৰ নিয়ম চন্দুকৰ ওপৰত থকা
কৰূব দুটাৰ মাজৰ পৰা, ইস্ৰায়েলৰ লোকসকলৰ বাবে যিবোৰ আজ্ঞা
দিম, সেই বিষয়ে তোমাৰে সৈতে কথা পাতিম। ২৩ তুমি দুহাত দীঘল,

এহাত বহল, আৰু ডেৰ হাত ওখকৈ চিটীম কাঠৰ এখন মেজ সাজিবা, ২৪ সেই মেজত শুদ্ধ সোণৰ পতা মাৰিবা, আৰু তাৰ চাৰিওফালে সোণৰ সীমা দিবা। ২৫ সেই মেজৰ চাৰিওফালে চাৰি আঙুলি জোখৰ এচটা কাঠ দি ফ্ৰেম বনাবা, আৰু সেই ফ্ৰেমৰ চাৰিও ফালে সোণৰ সীমা বনাবা। ২৬ সোণৰ চাৰিটা আঙঠি সাজি, সেই আঙঠি চাৰিটা খুৰা থকা মেজৰ চাৰি চুকত লগাবা। ২৭ মেজ বৈ নিবলৈ কানমাৰি সুমুউৱাবলৈ ফ্ৰেমত আঙঠি লগাবা। ২৮ তুমি মেজ বৈ নিবৰ বাবে, চিটীম কাঠৰ দুডাল কানমাৰি সাজি, তাতো সোণৰ পতা মাৰিবা। ২৯ পেয় নৈবেদ্যৰ বাবে ব্যৱহাৰ কৰিবলৈ কাঁহি, চামুচ, জাৰ আৰু বাটি গঢ়াবা। এই সকলোকে শুদ্ধ সোণেৰে গঢ়াবা। ৩০ তুমি সেই মেজৰ ওপৰত মোৰ আগত সদায় দৰ্শন-পিঠা ৰাখিবা। ৩১ তুমি শুদ্ধ পিটা সোণৰ এটা দীপাধাৰ সাজিবা। দীপাধাৰৰ সৈতে তাৰ বাটিবোৰ, তাৰ তলৰ পাতবোৰ, আৰু ফুলবোৰ একেডোখৰ সোণেৰেই বনোৱা হ'ব লাগে। ৩২ দীপাধাৰৰ কাষৰ পৰা ছয়ডাল শাখা ওলোৱা হ'ব লাগিব। তাৰে তিনি ডাল শাখা এফালৰ পৰা, আৰু আন তিনি ডাল শাখা আন ফালৰ পৰা ওলোৱা হ'ব লাগিব। ৩৩ তাৰ এটা শাখাত বাদাম ফুলৰ আকৃতিৰে তিনিটা বাটি, এটা কলি, আৰু এটা ফুল থাকিব লাগিব। আন শাখাতো বাদাম ফুলৰ আকৃতিৰে তিনিটা বাটি, এটা কলি, আৰু এটা ফুল থাকিব। দীপাধাৰৰ পৰা ওলোৱা ছয়টা ডালতে সেই একে দৰেই হ'ব। ৩৪ দীপাধাৰৰ মাজভাগতো বাদাম ফুলৰ আকৃতিৰে চাৰিটা বাটি, কলি, আৰু ফুল থাকিব। ৩৫ সেই দীপাধাৰৰ প্ৰথম যোৰ শাখাত একে ডোখৰ সোণেৰে এটা কলি, আৰু আন দ্বিতীয় যোৰ শাখাতো একে ডোখৰ সোণেৰে এটা কলি থাকিব। ৩৬ সেইবোৰৰ কলি আৰু সেইবোৰৰ শাখাবোৰ একে ডোখৰ সোণেৰে হ'ব; আৰু সেই সকলোৰেই শুদ্ধ সোণ পিটি বনোৱা হ'ব। ৩৭ তুমি দীপাধাৰ আৰু ইয়াৰ সাতটা প্ৰদীপ সাজিবা। প্ৰদীপৰ পৰা পোহৰ ওলাবলৈ প্ৰদীপবোৰ দীপাধাৰত লগাবা। ৩৮ এঙাৰ ধৰা চেপেনা আৰু ট্ৰে শুদ্ধ সোণৰ হ'ব লাগিব। ৩৯ দীপাধাৰ আৰু দীপাধাৰৰ বাবে ব্যৱহাৰ কৰা সকলো বস্তু সাজিবলৈ এক কিক্কৰ শুদ্ধ সোণ ব্যৱহাৰ কৰিবা। ৪০

মই তোমাক পৰ্ব্বতত দেখুউৱা নমুনাৰ দৰেই সেই সকলো নিশ্চয়
সাজিবা।”

২৬ তুমি দহখন পৰ্দাৰে আবাস যুগুত কৰিবা; সেই পৰ্দাৰ কাপোৰ
কেইখন পকোৱা মিহি শণ সূতা, আৰু নীলা, বেঙুনীয়া, আৰু ৰঙা
বৰণীয়া সূতাৰে নিপুণ শিল্পকাৰৰ দ্বাৰাই কৰূবৰ নক্সাৰে তৈয়াৰ
কৰিবা। ২ প্ৰত্যেক খন পৰ্দা আঁঠাইশ হাত দীঘল, আৰু চাৰি হাত
বহল, এইদৰে সকলোবোৰ পৰ্দা একে জোখৰ হ’ব লাগিব। ৩ পাঁচখন
পৰ্দা ইখনৰ লগত সিখন একেলগে জোৰা দিব লাগিব, আৰু আন
পাঁচখন পৰ্দাও একেদৰে যোৰা দিব লাগিব। ৪ প্ৰথম জোৰা দিয়া
পৰ্দা কেইখনৰ শেষৰ খনৰ চুকত, আৰু দ্বিতীয়তে জোৰা দিয়া পৰ্দা
কেইখনৰ শেষৰ খনৰ চুকত নীলা বৰণীয়া জৰীৰ পাক লগাবা। ৫
সেই প্ৰথম খন পৰ্দাৰ কিনাৰত পঞ্চাশটা জৰীৰ পাক লগাবা, আৰু
জোৰা দিয়া দ্বিতীয়খন পৰ্দাৰ শেষৰ কিনাৰতো পঞ্চাশটা জৰীৰ পাক
লগাবা। এইদৰে কৰিবা যাতে, জৰীৰ পাক দুশাৰী মুখামুখি হ’ব। ৬
সোণৰ পঞ্চাশটা হাঁকোটা গঢ়াই সেই হাঁকোটাৰে কাপোৰ দুখন ইখনৰ
সৈতে সিখনক বান্ধিবা; সেইদৰে কৰিলে আবাস একলগ হ’ব। ৭ সেই
আবাস ঢাকিবলৈ তম্বুৰ দৰে ছাগলীৰ নোমেৰে পৰ্দা যুগুত কৰিবা।
তুমি এঘাৰখন পৰ্দা যুগুত কৰিব লাগিব। ৮ প্ৰতিখন পৰ্দা দীঘলে ত্ৰিশ
হাত আৰু বহলে চাৰি হাত হ’ব; সেই এঘাৰখন পৰ্দা একে জোখৰ হ’ব
লাগিব। ৯ পাঁচখন পৰ্দা ইখনৰ লগত সিখনক জোৰা লগাবা, আৰু আন
ছয়খন পৰ্দাও ইখনৰ লগত সিখনক জোৰা লগাবা। তুমি ষষ্ঠ পৰ্দাখন
দুতৰপিয়া কৰি তম্বুৰ সন্মুখত থবা। ১০ প্ৰথম জোৰা দিয়া পাঁচখন
পৰ্দাৰ শেষৰ খনৰ আউঠিত পঞ্চাশটা জৰীৰ পাক লগাবা, আৰু সেই
দৰে জোৰা দিয়া দ্বিতীয়খন পৰ্দাৰ শেষৰ আউঠিতো পঞ্চাশটা জৰীৰ
পাক লগাবা। ১১ পিতলৰ পঞ্চাশটা হাঁকোটা গঢ়াই, সেই হাঁকোটাৰে
জৰীৰ পাক যোৰা দি তম্বু ল’গ লগাবা। তাৰ পাছত তম্বুৰ ঢাকনিৰ
দৰে একেলগে যোৰা দিবা, সেয়ে এটাৰ দৰে হ’ব। ১২ সেই তম্বুৰ
পৰ্দা কেইখনৰ পৰা ওলমি থকা আধা কাপোৰ আবাসৰ পাছফালে
ওলমি থাকিব লাগিব। ১৩ তম্বুৰ পৰ্দা কেইখনৰ এফালে এহাত দীঘল,

আৰু আনফালে এহাত দীঘল হ’ব লাগিব। তম্বুৰ বাকী থকা পৰ্দাৰ দীঘল অংশ আবাসৰ এটা ফালে ওলমি থাকিব লাগিব, আৰু আন ফালৰ ওলমি থকা অংশ আবাস ঢাকি ৰাখিব। ১৪ তুমি ৰঙা ৰং কৰা মেৰ-ছাগ পোৱালীৰ ছালেৰে তম্বুৰ বাবে এটা আবৰণ যুগুত কৰিবা। তাৰ ওপৰত আন এটা আবৰণ মিহি ছালেৰে যুগুত কৰিবা। ১৫ তুমি আবাসৰ বাবে চিটীম কাঠৰ থিয়কৈ তক্তা যুগুত কৰিবা। ১৬ প্ৰতিখন তক্তা দহ হাত দীঘল, আৰু ডেৰ হাত বহল হ’ব। ১৭ প্ৰতিখন তক্তাত একে ধৰণৰ দুটা ভাগ ওলাই থকা হ’ব লাগিব; যাতে ইখন তক্তা সিখন তক্তাৰ লগত যোৰা দিব পাৰি। আবাসৰ কাৰণে এইদৰেই তক্তা তৈয়াৰ কৰিবা। ১৮ তুমি আবাসৰ বাবে তক্তা যুগুত কৰোঁতে, বিশখন তক্তা দক্ষিণ দিশৰ বাবে তৈয়াৰ কৰিবা। ১৯ সেই বিশখন তক্তাৰ তলত চল্লিশটা ৰূপৰ চুঙী লগাবা, এখন তক্তাৰ তলত দুটা স্তম্ভমূলৰ বাবে দুটা চুঙী, আৰু আনবোৰ তক্তাৰ তলতো দুটা দুটাকৈ স্তম্ভমূলৰ বাবে দুটাকৈ চুঙী লগাবা। ২০ তুমি আবাসৰ দ্বিতীয় ফালৰ উত্তৰদিশত বিশখন তক্তা তৈয়াৰ কৰিব লাগিব। ২১ আৰু সেইবোৰত চল্লিশটা ৰূপৰ চুঙী লগাবা; প্ৰথম তক্তাৰ তলত দুটা চুঙী, আৰু আনবোৰ তক্তাৰ তলতো দুটাকৈ চুঙী থাকিব। ২২ আবাসৰ পশ্চিমদিশে পাছফালৰ বাবে ছয়খন তক্তা তৈয়াৰ কৰিবা। ২৩ তুমি আবাসৰ পাছফালৰ চুক দুটাৰ বাবে দুখন তক্তা যুগুত কৰিবা। ২৪ প্ৰত্যেক তক্তা তলৰ ফালে খোলা হৈ থাকিব, কিন্তু ওপৰফালে একেডাল আঙঠিতে যোৰা লাগি থাকিব। এইদৰেই পিছফালৰ দুয়োটা চুকৰ বাবেও হ’ব। ২৫ তাত আঠখন তক্তা ৰূপৰ চুঙীৰ সৈতে একেলগে থাকিব লাগিব। সৰ্ব্বমুঠ ষোল্লটা চুঙী হ’ব লাগিব। প্ৰথম তক্তাৰ তলত দুটা চুঙী, আৰু আনখন তক্তাৰ তলতো দুটা চুঙী থাকিব। এইদৰে বাকিবোৰ তক্তাতো থাকিব লাগিব। ২৬ তুমি আবাসৰ এটা ফালৰ তক্তাৰ বাবে চিটীম কাঠৰ ছয়ডাল পথালি ডাং বনাবা। ২৭ আবাসৰ আনফালৰ তক্তাৰ বাবে পাঁচডাল, আৰু আবাসৰ পশ্চিমদিশে থকা পাছফালৰ তক্তাৰ বাবেও পাঁচডাল; চিটীম কাঠৰ পথলি ডাং বনাবা। ২৮ তক্তাৰ মাজত থকা ডাং ডাল তক্তাবোৰৰ মাজেদি এমুৰৰ পৰা আন মুৰলৈকে যাব। ২৯ সেই

তক্তাবোৰত সোণৰ পতা মাৰিবা, আৰু ডাংবোৰ সুমুউৱাবলৈ, সোণৰ
চক্র গঢ়াবা; আৰু ডাংবোৰতো সোণৰ পতা মাৰিবা। ৩০ তোমাক
পৰ্ব্বতত আবাসৰ যি আচনি দেখুউৱা হৈছিল, তুমি সেইদৰেই তাক
তৈয়াৰ কৰিবা। ৩১ তুমি নীলা, বেঙুনীয়া, আৰু ৰঙা বৰণীয়া সূতা
আৰু পকোৱা মিহি শণ সূতাৰে এখন পৰ্দা যুগুত কৰিবা। সেই পৰ্দা
নিপুণ শিল্পকাৰে কৰূবৰ নক্সাৰে তৈয়াৰ কৰিব লাগিব। ৩২ তুমি সেই
পৰ্দাবোৰ, সোণৰ পতা মৰা চিটীম কাঠৰ চাৰিটা খুটাৰ ওপৰত ওলমাই
দিবা। সেই খুটাবোৰৰ হাঁকোটা সোণৰ হ’ব লাগিব, আৰু সেই খুঁটা
ৰূপৰ চাৰিটা চুঙীৰ ওপৰত থাকিব। ৩৩ তুমি পৰ্দাবোৰ হাঁকোটাবোৰত
ওলমাবা; আৰু তাৰ ভিতৰলৈ নিয়ম চন্দুকৰ সাক্ষ্য ফলি আনিবা। সেই
পৰ্দাই পবিত্র-স্থান আৰু অতি পবিত্র-স্থানৰ মাজত প্ৰভেদ ৰাখিব। ৩৪
তুমি অতি পবিত্র-স্থানত সাক্ষ্য-ফলিৰ নিয়ম চন্দুকৰ ওপৰত পাপাবৰণ
থ’বা। ৩৫ মেজখন পৰ্দাৰ বাহিৰত ৰাখিবা, মেজৰ বিপৰীতে আবাসৰ
দক্ষিণ ফালে দীপাধাৰ ৰাখিবা, আৰু মেজখন উত্তৰফালে থ’ব লাগিব।
৩৬ তম্বুৰ প্ৰবেশ দুৱাৰৰ বাবে নীলা, বেঙুনীয়া, আৰু ৰঙা বৰণীয়া সূতা
আৰু পকোৱা মিহি শণ সূতাৰে ফুল বছা এখন পৰ্দা যুগুত কৰিবা। ৩৭
সেই পৰ্দা ওলমাবলৈ চিটীম কাঠৰ পাঁচটা খুঁটা যুগুত কৰিবা, আৰু
সেইবোৰত সোণৰ পতা মাৰিবা। সেইবোৰৰ হাঁকোটা সোণৰ হ’ব;
আৰু সেইবোৰৰ বাবে পিতলৰ পাঁচটা চুঙী সাঁচত ঢালিবা।

**২৭** তুমি যজ্ঞবেদীটো চিটীম কাঠেৰে সাজিবা। সেই বেদীৰ দীঘলে
পাঁচ হাত, বহলে পাঁচ হাত হ’ব লাগিব। যজ্ঞবেদীৰ চাৰিও দিশ
সমান হ’ব লাগিব, আৰু ওখই তিনি হাত হ’ব লাগিব। ২ তুমি তাৰ
চাৰিও চুকে ওলাই থকা অংশ, গৰুৰ শিঙৰ আকৃতিৰে তৈয়াৰ কৰিব
লাগিব। শিং কেইটা যজ্ঞবেদিৰ সৈতে একেলগে তৈয়াৰ কৰিব লাগিব;
আৰু তাত পিতলৰ পতা মাৰিব লাগিব। ৩ তুমি যজ্ঞবেদীৰ সকলো
সামগ্ৰী তৈয়াৰ কৰিবা: ছাঁই পেলোৱা পাত্ৰ, হেঁতা, চৰিয়া, মাংস খোঁচ
যাঠি, আৰু জুই ধৰা পাত্ৰ। সেই সকলো সঁজুলি পিতলেৰে গঢ়াবা।
৪ যজ্ঞবেদীৰ বাবে পিতলৰ এটা জালি গঢ়াবা, আৰু সেই জালিৰ
চাৰিওটা চুকত পিতলৰ চাৰিটা চক্র লগাবা। ৫ তুমি সেই জালি,

যজ্ঞবেদীৰ ভিতৰৰ স্তৰত লগাবা। সেই জালি বেদীৰ তলৰ আধা ভাগলৈকে পাব। ৬ বেদিৰ বাবে চিটীম কাঠৰ কান্ধমাৰি সাজিবা, আৰু তাত পিতলৰ পতা মাৰিবা। ৭ কান্ধমাৰি কেইডাল চক্ৰৰ ভিতৰত সুমুউৱাই ৰাখিবা; আৰু যজ্ঞবেদি কঢ়িয়াবলৈ কান্ধমাৰিবোৰ বেদীৰ দুয়ো কাষে ৰাখিব লাগিব। ৮ তুমি সেই যজ্ঞবেদী তক্তাৰে ফোঁপোলা কৰি সাজিবা। পৰ্ব্বতত তোমাক যি দৰে দেখুৱা হৈছিল, সেইদৰেই তৈয়াৰ কৰিবা। ৯ তুমি আবাসৰ বাবে চোতাল প্ৰস্তুত কৰিব লাগিব। চোতালৰ দক্ষিণফালে মিহি শণ সূতাৰ এশ হাত দীঘল কাপোৰ ওলমাবা। ১০ সেই কাপোৰ ওলমাবলৈ বিশটা খুঁটা; আৰু সেইবোৰৰ বাবে পিতলৰ বিশটা চুঙী; খুটাবোৰৰ হাঁকোটা আৰু মাৰি কেইডাল ৰূপৰ হ'ব লাগিব। ১১ সেইদৰে উত্তৰফালে এশ হাত দীঘল কাপোৰ বিশটা খুটাৰ সৈতে থাকিব। সেই খুটাবোৰত বিশটা পিতলৰ চুঙী, আৰু হাঁকোটা লগা থাকিব আৰু মাৰি কেইডাল ৰূপৰ হ'ব লাগিব। ১২ সেই চোতালৰ পশ্চিমফালে পঞ্চাশহাত দীঘল পৰ্দা থাকিব। তাত দহটা খুঁটা আৰু দহটা চুঙী থাকিব। ১৩ পূবদিশে চোতালখন পঞ্চাশ হাত দীঘল হ'ব লাগিব। ১৪ প্ৰবেশ দুৱাৰৰ এফালে ওলমাই থোৱা পৰ্দা পোন্ধৰ হাত দীঘল হ'ব লাগিব; আৰু সেই পৰ্দাৰ বাবে তিনিটা চুঙীৰে সৈতে তিনিটা খুঁটা লাগিব। ১৫ আনদিশে পোন্ধৰ হাত দীঘল কাপোৰ ওলমাব লাগিব। তাৰ বাবে তিনিটা চুঙী আৰু তিনিটা খুঁটা হ'ব। ১৬ চোতালখনৰ দুৱাৰৰ বাবে নীলা, বেঙুনীয়া, আৰু ৰঙা বৰণীয়া সূতা ও পকোৱা মিহি শণ সূতাৰে ফুল বছা বিশ হাত দীঘল এখন পৰ্দা তৈয়াৰ কৰিব লাগিব। সেই পৰ্দাৰ চাৰিটা খুঁটা, আৰু সেই খুটাবোৰৰ বাবে চাৰিটা চুঙী লাগিব। ১৭ চোতালৰ সকলো খুটাবোৰত ৰূপৰ মাৰি, ৰূপৰ হাঁকোটা আৰু পিতলৰ চুঙী থাকিব লাগিব। ১৮ চোতাল দীঘলে এশ হাত, পথালিয়ে পঞ্চাশ হাত, আৰু ওখই পাঁচ হাত। চোতালৰ চাৰিওফালে ওলমি থকাকৈ পকোৱা মিহি শণ সূতাৰ পৰ্দা, আৰু চুঙীবোৰ পিতলৰ হ'ব। ১৯ আবাসৰ কাৰ্যত ব্যৱহাৰ হোৱা সকলো সামগ্ৰী, আবাস আৰু চোতালৰ কাৰণে সকলো তম্বুৰ খুটি পিতলৰ হ'ব লাগিব। ২০ সদায় প্ৰদীপ জ্বলাই পোহৰ কৰিবলৈ, খান্দি উলিওৱা

জিতগছৰ গুটিৰ শুদ্ধ তেল তোমাৰ ওচৰলৈ আনিবলৈ, তুমি ইস্রায়েলী লোকসকলক আজ্ঞা দিবা। ২১ সাক্ষাৎ কৰা তম্বুৰ ভিতৰত সাক্ষ্য-ফলিৰ নিয়ম চন্দুকৰ আগত থকা পৰ্দাৰ বাহিৰত যিহোৱাৰ আগত গধূলিৰ পৰা ৰাতিপুৱালৈকে প্ৰদীপ জ্বলি থাকিবৰ বাবে হাৰোণ আৰু তেওঁৰ পুত্ৰসকলে তত্ত্বাৱধান ল'ব লাগিব। এয়ে ইস্রায়েলী লোকসকলে পুৰুষানুক্ৰমে পালন কৰিব লগীয়া চিৰস্থায়ী বিধি।

২৮ পুৰোহিত হৈ মোৰ পৰিচৰ্যা কৰিবলৈ, ইস্রায়েলী লোকসকলৰ মাজৰ পৰা তোমাৰ ককায়েক হাৰোণক আৰু তেওঁৰ লগত তেওঁৰ পুত্ৰ নাদব, অবীহূ, ইলিয়াজৰ, আৰু ঈথামৰক তুমি নিজে মাতি আনিবা। ২ তোমাৰ ককায়েৰা হাৰোণৰ বস্ত্ৰ মোৰ উদ্দেশ্যে পবিত্ৰ কৰি সংৰক্ষিত কৰি ৰাখিবা। ৩ মোৰ অৰ্থে পুৰোহিতৰ কাৰ্য কৰিবলৈ হাৰোণক পবিত্ৰকৃত কৰিবলৈ মই দিয়া জ্ঞানৰ আত্মাৰে পৰিপূৰ্ণ হোৱা নিপূণ লোকসকলক তেওঁৰ বস্ত্ৰ যুগুত কৰিবলৈ তুমি আজ্ঞা কৰিবা। ৪ তেওঁলোকে তৈয়াৰ কৰিব লগীয়া বস্ত্ৰ এইবোৰ: এটা বুকুপটা, এফোদ, চোলা, হাতে বোৱা কোট চোলা, পাগুৰি, আৰু টঙালি। তেওঁলোকে এইসকলো বস্ত্ৰ তৈয়াৰ কৰি পবিত্ৰ কৰিব; আৰু মোৰ উদ্দেশ্যে সংৰক্ষিত কৰি ৰাখিব। পুৰোহিত হৈ মোৰ পৰিচৰ্যা কৰিবলৈ, তোমাৰ ককায়েক হাৰোণ আৰু তেওঁৰ পুত্ৰসকলৰ কাৰণে এই সকলো বস্ত্ৰ হ'ব। ৫ শিল্পকাৰে সোণালী, নীলা, বেঙুনীয়া, আৰু ৰঙা বৰণীয়া সূতা আৰু মিহি শণ সূতা ব্যৱহাৰ কৰিব লাগিব। ৬ তেওঁলোকে সোণালী আৰু নীলা, বেঙুনীয়া, আৰু ৰঙা বৰণীয়া ঊল, আৰু মিহি পকোৱা শণ সূতাৰে সেই এফোদ বস্ত্ৰ তৈয়াৰ কৰিব। সেয়ে নিপুণ শিল্পকাৰৰ কাৰ্য হ'ব। ৭ এফোদৰ ওপৰৰ দুয়ো কান্ধৰ চুকত লগাবলৈ দুপাত স্কন্ধপটি থাকিব। ৮ এফোদৰ দৰেই কঁকালত বান্ধিবৰ বাবে এডাল টঙালি এফোদৰ সৈতে সোণোৱালী, নীলা, বেঙুনীয়া, আৰু ৰঙা বৰণীয়া সূতা, ও পকোৱা মিহি শণ সূতাৰে তৈয়াৰ কৰা হ'ব। ৯ তুমি দুটা গোমেদক বাখৰ ল'বা, আৰু তাৰ ওপৰত ইস্রায়েলৰ বাৰ জন পুত্ৰৰ নাম খোদিত কৰাবা। ১০ তেওঁলোকৰ জন্মৰ ক্ৰম অনুসাৰে ছয় জনৰ নাম এটা বাখৰত আৰু বাকী ছয় জনৰ নাম আন এটা বাখৰৰ

ওপৰত ক্ষোদিত কৰাবা। ১১ পাথৰৰ খনিকৰে মোহৰত খোদিত
কৰাৰ দৰেই সেই দুটা বাখৰৰ ওপৰতো ইস্রায়েলৰ পুত্রসকলৰ নাম
ক্ষোদিত কৰাবা। তুমি সেই বাখৰ দুটা সোণত খটোৱাব লাগিব। ১২
ইস্রায়েলৰ সন্তান সকলৰ সোঁৱৰণীয় বাখৰ হ'বলৈ, তুমি সেই দুটা
বাখৰ এফোদৰ দুয়ো কান্ধত লগাবা। সেয়ে হাৰোণে তেওঁৰ দুয়ো
কান্ধত তেওঁলোকৰ নাম সোঁৱৰণৰ অৰ্থে যিহোৱাৰ সাক্ষাতে বহন
কৰিব। ১৩ তুমি নিশ্চয়কৈ সেই বাখৰ দুটা লগাবলৈ সোণ ব্যৱহাৰ
কৰিবা। ১৪ দুটা পকোৱা ৰচিৰ দৰে দুডাল শুদ্ধ সোণৰ শিকলি তৈয়াৰ
কৰি, বাখৰ লগোৱা সোণত লগাই দিবা। ১৫ তুমি সিদ্ধান্ত ল'বলৈ এটা
বুকুপটা তৈয়াৰ কৰিবা। সেয়ে নিপুণ শিল্পকাৰৰ কাৰ্য হ'ব; এফোদ
বস্ত্ৰৰ দৰে তাক প্ৰস্তুত কৰিবা। নীলা, বেঙুনীয়া, আৰু ৰঙা বৰণীয়া
সূতা ও পকোৱা মিহি শণ সূতাৰ লগত সোণেৰে তৈয়াৰ কৰিবা। ১৬
তুমি বুকুপতাৰ চাৰিওদিশ সমানে দুতৰপীয়াকৈ ভাজ কৰিবা। সেয়ে
দীঘলে এবেগেত আৰু পথালিয়েও এবেগেত হ'ব। ১৭ বুকুপতাত
চাৰি শাৰী বহুমূলীয়া পাথৰ খুৱাবা। তাৰ প্ৰথম শাৰীত এটা ৰুবী,
এটা পোখৰাজ, আৰু এটা ৰক্তমণি। ১৮ দ্বিতীয় শাৰীত এটা মৰকত,
এটা নীলকান্ত, আৰু এটা হীৰা। ১৯ তৃতীয় শাৰীত এটা নীলকান্তমণি,
এটা আকীক, আৰু এটা নীলা। ২০ আৰু চতুৰ্থ শাৰীত এটা পান্না,
গোমেদক, আৰু জ্যাসপাৰ। এই সকলোবোৰ সোণৰ ওপৰত খটোৱাব
লাগিব। ২১ এই পাথৰবোৰ ইস্রায়েলৰ পুত্রসকলৰ নাম অনুসাৰে
স্থিৰ কৰা হ'ব। মোহৰত খোদিত কৰাৰ দৰেই তেওঁলোকৰ নাম
প্ৰত্যেক পাথৰত বাৰ ফৈদ অনুসাৰে ক্ষোদিত কৰা হ'ব লাগিব। ২২
বুকুপটাত লগাবলৈ, তুমি পকোৱা ৰচীৰ দৰে দুডাল শুদ্ধ সোণৰ
শিকলি তৈয়াৰ কৰিবা। ২৩ তুমি বুকুপটাৰ বাবে সোণৰ দুটা আঙঠি
গঢ়াই, সেই দুটা আঙঠি বুকুপটাৰ দুই মুৰত লগাবা। ২৪ সোণৰ সেই
শিকলি দুডাল বুকুপটাৰ দুই চুকত লগাবা। ২৫ শিকলি দুডালৰ দুই
মুৰ, পাথৰ খটোৱা সোণত লগাবা। তাৰ পাছত এফোদৰ আগফালৰ
কান্ধৰ ওপৰত লগাবা। ২৬ তুমি সোণৰ দুটা আঙঠি গঢ়াবা, আৰু
বুকুপটাৰ দুই মুৰত, এফোদৰ সন্মুখত থকা ভিতৰ দাঁতিত লগাবা।

২৭ তুমি আৰু দুটা সোণৰ আঙঠি গঢ়াবা, আৰু এফোদৰ আগফালে থকা দুপাত স্কন্ধপটিৰ তল ভাগত লগাবা। অৱশেষত এফোদৰ বাবে বোৱা টঙালি বান্ধিবলৈ ইয়াৰ ওপৰত লগাবা। ২৮ বুকুপটা যেন এফোদৰ বোৱা টঙালিৰ ওপৰত থাকে, আৰু এফোদৰ পৰা এৰাই নাযায়, সেই বাবে নীলা বৰণীয়া ফিতাৰে সেই বুকুপটাক তাৰ আঙঠিৰে সৈতে এফোদৰ আঙঠিত বান্ধিবা। ২৯ হাৰোণ যেতিয়া পবিত্ৰ স্থানলৈ যাব, তেতিয়া তেওঁ হৃদয়ত সিদ্ধান্ত ল'বলৈ, ইস্ৰায়েলৰ পুত্ৰসকলৰ নাম নিজৰ বুকুপটাত কঢ়িয়াব। ৩০ সেই সিদ্ধান্ত লোৱা বুকুপটাত ঊৰীম আৰু তুম্মীম লগাবা। হাৰোণে যি সময়ত যিহোৱাৰ আগলৈ যাব, সেই সময়ত হাৰোণৰ বুকুৰ ওপৰত সেইবোৰ থাকিব। যিহোৱাৰ আগত হাৰোণে ইস্ৰায়েলীসকলৰ বাবে সিদ্ধান্ত ল'বলৈ সেইবোৰ সদায় নিজৰ বুকুত কঢ়িয়াব। ৩১ তুমি এফোদৰ চোলা সম্পূৰ্ণ বেঙুনীয়া ৰঙৰ কাপোৰেৰে তৈয়াৰ কৰিবা। ৩২ তাৰ সোঁ মাজত, মুৰ সুমুৱাবলৈ এটা বাট থাকিব। সেয়ে নাফালিবলৈ মুৰ সোমোৱা অংশৰ চাৰিওফাল সিপিনীয়ে বোৱা হ'ব লাগিব। ৩৩ তুমি তাৰ তল দাঁতিৰ চাৰিওফালে নীলা, বেঙুনীয়া, আৰু ৰঙা বৰণীয়া সূতাৰে ডালিমৰ চানেকী তুলিবা, আৰু তাৰ মাজে মাজে চাৰিওফালে সোণৰ জুনুকা থাকিব। ৩৪ সেই এফোদৰ তল দাঁতিত চাৰিওফালে এটা সোণৰ জুনুকা এটা ডালিম, আৰু এটা সোণৰ জুনুকা এটা ডালিম এইদৰে থাকিব। ৩৫ হাৰোণে যেতিয়া পৰিচৰ্যা কৰিব, তেতিয়া সেই বস্ত্ৰ পিন্ধিব। তেওঁ যেতিয়া যিহোৱাৰ পবিত্ৰ-স্থানত যিহোৱাৰ আগলৈ যাব, আৰু ওলাই আহিব, তেতিয়া সেই জুনুকাৰ শব্দ শুনা যাব। এইদৰে কৰাত তেওঁৰ মৃত্যু নহ'ব। ৩৬ তুমি শুদ্ধ সোণৰ এচটা পতা গঢ়িবা, আৰু মোহৰত খোদিত কৰাৰ দৰে সেই পতাৰ ওপৰত "যিহোৱাৰ উদ্দেশ্যে পবিত্ৰ" এই কথা ক্ষোদিত কৰিবা। ৩৭ তুমি সেই পতা নীলা বৰণীয়া ফিতাৰে পাগুৰিৰ আগফালে লগাবা। ৩৮ সেয়ে হাৰোণৰ কপালত থাকিব। ইস্ৰায়েলীসকলে পবিত্ৰ কৰি উৎসৰ্গ কৰা পবিত্ৰ দানত থকা যিকোনো দোষ হাৰোণে বব। তেওঁলোক যেন যিহোৱাৰ আগত গ্ৰহণীয় হোৱা, সেইবাবে পাগুৰি সদায় তেওঁৰ কপালৰ ওপৰত থাকিব। ৩৯ তুমি মিহি

শণ সূতাৰে কোট চোলা আৰু পাগুৰি তৈয়াৰ কৰিবা, আৰু এটা ফুল বছা টঙালিও তৈয়াৰ কৰিবা। ৪০ হাৰোণৰ পুত্ৰসকলৰ বাবে কোট চোলা, টঙালি, আৰু পাগুৰি তেওঁলোকৰ মৰ্য্যদা আৰু শোভাৰ বাবে তৈয়াৰ কৰিবা। ৪১ তোমাৰ ককায়েক হাৰোণ, আৰু তেওঁৰ সৈতে তেওঁৰ পুত্ৰসকলক সেইবোৰ পিন্ধিবা, আৰু মোৰ পৰিচৰ্যাৰ বাবে পুৰোহিতৰ কাৰ্য কৰিবলৈ তুমি তেওঁলোকক পবিত্ৰ কৰি অভিষিক্ত কৰিবা, আৰু পুৰোহিত পদত নিযুক্ত কৰিবা। ৪২ তেওঁলোকৰ গোপনীয় অংশ ঢাকিবলৈ, কঁকালৰ পৰা কৰঙণলৈকে তুমি তেওঁলোকলৈ শণ সূতাৰ বস্ত্ৰ তৈয়াৰ কৰিবা। ৪৩ যেতিয়া হাৰোণ আৰু তেওঁৰ পুত্ৰসকল সাক্ষাৎ কৰা তম্বুৰ ভিতৰলৈ সোমাব, বা পবিত্ৰ-স্থানত পৰিচৰ্যা কৰিবলৈ বেদীৰ ওচৰ চাপিব, তেতিয়া তেওঁলোকে যেন সেইবস্ত্ৰ পৰিধান কৰে। তেওঁলোকে নিশ্চয়কৈ এইদৰে কৰিব লাগিব যাতে তেওঁলোকে পাপৰ ভাৰ বব লগা নহয় আৰু তেওঁলোকৰ মৃত্যু নহয়। এয়ে হাৰোণ আৰু তেওঁৰ ভাবি বংশৰ পালন কৰিবলগীয়া চিৰস্থায়ী বিধি।

**২৯** মোৰ পৰিচৰ্যাৰ বাবে পুৰোতহিৰ কাৰ্য কৰিবলৈ, এতিয়া তুমি তেওঁলোকক পবিত্ৰ কৰিবৰ বাবে এই কাৰ্য কৰিবা; এটা নিৰ্ঘূণী দমৰা আৰু দুটা নিঘূণী মতা মেৰ-ছাগ ল'বা। ২ খমিৰ নিদিয়া পিঠা, তেল মিহলোৱা খমীৰ নিদিয়া পিঠা, আৰু তেল সনা খমীৰ নিদিয়া পাতল পিঠা ল'বা। সেইবোৰ মিহি আটাগুড়িৰে তৈয়াৰ কৰিবা। ৩ এটা পাচিত সেইবোৰ ৰাখিবা; আৰু সেই পাচিৰ সৈতে দমৰা আৰু দুটা মেৰ-ছাগ উপহাৰ দিবা। ৪ হাৰোণ, আৰু তেওঁৰ পুত্ৰসকলক তুমি সাক্ষাৎ কৰা তম্বুৰ দুৱাৰমুখত আনি তেওঁলোকৰ গা ধুৱাবা। ৫ তুমি সেই বস্ত্ৰবোৰ, হাৰোণৰ কোট চোলা, এফোদ বস্ত্ৰ, এফোদ আৰু বুকুপটা, আৰু এফোদৰ নিপুণৰূপে বোৱা টঙালি ল'বা আৰু তেওঁক পিন্ধাবা। ৬ তেওঁৰ মূৰত পাগুৰি পিন্ধাই তাৰ ওপৰত পবিত্ৰ মুকুট লগাবা। ৭ তাৰ পাছত অভিষেক কৰা তেল ল'বা, আৰু তেওঁৰ মূৰত বাকি, তেওঁক অভিষেক কৰিবা। ৮ তুমি তেওঁৰ পুত্ৰসকলক আনিবা; আৰু কোট চোলা পিন্ধাবা। ৯ হাৰোণ আৰু তেওঁৰ পুত্ৰসকলৰ কঁকালত টঙালি বান্ধিবা, আৰু তেওঁলোকৰ মূৰত পাগুৰি মাৰি দিবা। পুৰোহিত পদৰ

কাৰ্য এক চিৰস্থায়ী বিধিৰ দ্বাৰাই তেওঁলোকৰ অধিকাৰত থাকিব। এইদৰেই তুমি হাৰোণ আৰু তেওঁৰ পুত্ৰসকলক মোৰ পৰিচৰ্যাৰ বাবে পবিত্ৰকৃত কৰিবা।
১০ তুমি সাক্ষাৎ কৰা তম্বুৰ সন্মুখলৈ সেই দমৰাটো লৈ আনিবা; তেতিয়া হাৰোণ আৰু তেওঁৰ পুত্ৰসকলে দমৰাটোৰ মুৰত হাত দিব লাগিব।
১১ তুমি সাক্ষাৎ কৰা তম্বুৰ দুৱাৰ মুখত যিহোৱাৰ সন্মুখত সেই দমৰাটো বধ কৰিবা।
১২ তুমি বধ কৰা দমৰাটোৰ কিছু অংশ তেজ লৈ, আঙুলিৰে বেদীৰ শিঙত লগাবা, আৰু বাকী তেজখিনি বেদীৰ ভিত্তিমূলত বাকি দিবা।
১৩ তাৰ প্ৰতিটো অংশত থকা তেল, কলিজাৰ ওপৰত থকা তেলীয়া ভাগ, ঘিলা দুটা, আৰু সেই দুটাৰ ওপৰত থকা তেল লৈ, বেদীত জ্বলাবা।
১৪ কিন্তু সেই দমৰা টোৰ মাংস আৰু তাৰ লগতে ছাল আৰু গোবৰ তম্বুৰ বাহিৰফালে জুইত পুৰি ভস্ম কৰি দিবা; সেয়ে পাপাৰ্থক বলি হ'ব।
১৫ তুমি এটা মেৰ-ছাগ পোৱালিও লগত ল'বা। হাৰোণ আৰু তেওঁৰ পুত্ৰসকলে সেই মেৰ-ছাগটোৰ মুৰত হাত দিব।
১৬ তুমি সেই মেৰ-ছাগটো বধ কৰিবা। তাৰ পাছত সেই বধ কৰা মেৰ-ছাগটোৰ তেজ লৈ বেদীৰ ওপৰৰ চাৰিওফালে ছটিয়াই দিবা।
১৭ তুমি মেৰ-ছাগটো কাটি টুকুৰা টুকুৰ কৰিবা। তাৰ ভিতৰৰ অংশ আৰু ঠেংবোৰ ধুবা; ধুই মাংসৰ টুকুৰাবোৰৰ সৈতে মুৰটো একেলগে বেদীৰ ওপৰত থবা।
১৮ তাৰ পাছত সম্পূৰ্ণ মেৰ-ছাগটো বেদীত জ্বলাই দিবা; সেয়ে মোৰ অৰ্থাৎ যিহোৱাৰ উদ্দেশ্যে হোম-বলি হ'ব। এয়ে মোৰ বাবে সুমধুৰ সুগন্ধ উৎপন্ন কৰিব; এয়ে যিহোৱাৰ উদ্দেশ্যে অগ্নিকৃত উপহাৰ হ'ব।
১৯ তাৰ পাছত তুমি আনটো মেৰ-ছাগ পোৱালি ল'বা। হাৰোণ আৰু তেওঁৰ পুত্ৰসকলে সেই মেৰ-ছাগটোৰ মুৰত হাত দিব।
২০ তুমি সেই মেৰ-ছাগ বধ কৰিবা আৰু তাৰ অলপমান তেজ লৈ, হাৰোণ আৰু তেওঁৰ পুত্ৰসকলৰ সোঁ কাণৰ অগ্ৰভাগত, তেওঁলোকৰ সোঁ হাতৰ বুঢ়া আঙুলি, আৰু সোঁ ভৰিৰ বুঢ়া আঙুলিত লগাবা। তেজৰ বাকী থকা অংশ বেদীৰ ওপৰৰ চাৰিওফালে ছটিয়াই দিবা।
২১ তুমি বেদীৰ ওপৰত থকা তেজ, আৰু অভিষেক কৰা তেলৰ কিছু অংশ লৈ, হাৰোণৰ ওপৰত, তেওঁৰ বস্ত্ৰৰ ওপৰত, তেওঁৰ পুত্ৰসকলৰ ওপৰত আৰু তেওঁলোকৰ

বস্ত্ৰৰ ওপৰতো ছটিয়াই দিবা। এইদৰে তেওঁ, তেওঁৰ বস্ত্ৰ, তেওঁৰ পুত্ৰ
আৰু তেওঁলোকৰ বস্ত্ৰ পবিত্ৰীকৃত হ'ব। ২২ তুমি মেৰ-ছাগটোৰ চৰ্বি,
নেগুৰৰ চৰ্বি, ভিতৰৰ অংশত থকা চৰ্বি, কলিজাৰ ওপৰত থকা চৰ্বি,
ঘিলা দুটা আৰু তাৰ ওপৰত থকা চৰ্বি, আৰু পাছফালৰ সোঁ কৰঙন
ল'বা; কাৰণ সেয়ে মোৰ বাবে পুৰোহিতক পবিত্ৰকৃত কৰিবৰ বাবে
লোৱা মেৰ-ছাগ। ২৩ তুমি যিহোৱাৰ সন্মুখত থকা খমীৰ নিদিয়া
পিঠাৰ সেই পাচিটোৰ পৰা এটা পিঠা, তেল মিহলোৱা এটা পিঠা,
আৰু খমীৰ নিদিয়া এটা পাতল পিঠা ল'বা। ২৪ হাৰোণ আৰু তেওঁৰ
পুত্ৰসকলৰ হাতত সেই সকলোকে দিবা। তেওঁলোকে যিহোৱাৰ
সন্মুখত উৎসৰ্গ কৰিবৰ বাবে সেই পিঠাবোৰ ওপৰলৈ তুলি ধৰিব। ২৫
তুমি তেওঁলোকৰ হাতত পৰা আহাৰ লৈ, সেইবোৰ হোমবলিৰ সৈতে
সুঘ্ৰাণৰ অৰ্থে বেদীত জ্বলাই দিবা। ই যিহোৱাৰ উদ্দেশ্যে অগ্নিকৃত
উপহাৰ হ'ব। ২৬ তুমি হাৰোণক পবিত্ৰকৰণৰ অৰ্থে লোৱা মেৰ-ছাগৰ
বুকু ল'বা, আৰু ওপৰলৈ তুলি লৈ, যিহোৱাক দিয়াৰ দৰে উপহাৰ
দিবা। তাৰ পাছত সেই অংশ তোমাৰ খোৱাৰ বাবে থবা। ২৭ মোলৈ
হাৰোণ আৰু তেওঁৰ পুত্ৰসকলৰ পবিত্ৰকৰণৰ যি মেৰ-ছাগটোৰ বুকু
ওপৰলৈ তুলি ধৰিবা আৰু উপহাৰ দিয়া কৰঙণ, সেই দুয়োটাকে
তুমি পবিত্ৰ কৰিবা। ২৮ ইস্ৰায়েলী সকলৰ পৰা পোৱা হাৰোণ আৰু
তেওঁৰ বংশৰ লোকসকলৰ এয়ে চিৰস্থায়ী বিধি হ'ব। কিয়নো সেয়ে
উত্তোলনীয় উপহাৰ। ইস্ৰায়েলী লোকসকলৰ মঙ্গলাৰ্থক বলিৰ পৰা
দিবলগীয়া এয়ে যিহোৱাৰ উদ্দেশ্যে তেওঁলোকৰ উত্তোলনীয় উপহাৰ।
২৯ পবিত্ৰ বস্ত্ৰ পিন্ধি অভিষিক্ত আৰু নিযুক্ত হ'বলৈ হাৰোণৰ পাছত
তেওঁৰ পবিত্ৰ বস্ত্ৰ তেওঁৰ পুত্ৰসকলৰ বাবে হ'ব। ৩০ তেওঁৰ পুত্ৰসকলৰ
মাজৰ যি জনে তেওঁৰ সলনি পুৰোহিত হৈ পবিত্ৰ-স্থানত পৰিচৰ্যা
কৰিবলৈ সাক্ষাৎ কৰা তম্বুত সোমাব, সেই জনেই সেই বস্ত্ৰ সাত
দিন পিন্ধিব। ৩১ তুমি মোৰ উদ্দেশ্যে পুৰোহিতসকলক পবিত্ৰকৃত
কৰিবলৈ, মেৰ-ছাগ পোৱালিটোৰ মাংস এক পবিত্ৰ স্থানত সিজাব
লাগিব। ৩২ সাক্ষাৎ কৰা তম্বুৰ দুৱাৰ মুখত হাৰোণ আৰু তেওঁৰ
পুত্ৰসকলে সেই মেৰ-ছাগ মাংস আৰু পাচিত থকা পিঠা ভোজন কৰিব

লাগিব। ৩৩ মোৰ পৰিচৰ্যাৰ বাবে তেওঁলোকক পবিত্ৰ কৰিবলৈ আৰু
তেওঁলোকৰ প্ৰায়শ্চিত্ত হ'বলৈ, তেওঁলোকে মাংস আৰু পিঠা ভোজন
কৰিব। কিন্তু আন কোনো লোকে সেইবোৰ ভোজন কৰিব নালাগে;
কাৰণ সেই সকলো পবিত্ৰ বস্তু। ৩৪ সেই নিযুক্তকৰণৰ মাংস আৰু
পিঠাৰ পৰা যদি কিছু অৱশিষ্ট ৰাতিপুৱালৈকে থাকি যায়, তেনেহ'লে
সেই অৱশিষ্ট ভাগ জুইত পুৰি ভস্ম কৰিব লাগিব। এইটো কোনেও
ভোজন কৰিব নোৱাৰিব, কাৰণ সেয়ে মোৰ বাবে পবিত্ৰকৃত কৰি
ৰখা। ৩৫ মই তোমাক কৰিবলৈ দিয়া সকলো আজ্ঞা অনুসাৰে, হাৰোণ
আৰু তেওঁৰ পুত্ৰসকললৈ কৰিবা। এনেকি তেওঁলোকক মোৰ বাবে
পবিত্ৰকৃত কৰিবলৈ তুমি সাত দিন ল'বা। ৩৬ তুমি প্ৰায়শ্চিত্তৰ বাবে
প্ৰতি দিনে পাপাৰ্থক বলিৰূপে এটা ভতৰা গৰু বলি দিবা। এইদৰে
প্ৰায়শ্চিত্ত বেদীক শুচি কৰিবলৈ ইয়াকে কৰিব লাগিব। এই বেদী পবিত্ৰ
কৰি ইয়াক অভিষেক কৰিবা, আৰু মোৰ বাবে পৃথক কৰি ৰাখিবা। ৩৭
তুমি সাত দিন ধৰি প্ৰায়শ্চিত্ত কৰি বেদীক পবিত্ৰ কৰিবা। তাৰ পাছত
সেই বেদী অতি পবিত্ৰ হ'ব। বেদীৰ সংস্পৰ্শত যি কোনোৱে আহিব,
তেৱোঁ পবিত্ৰ হৈ যাব। ৩৮ সেই যজ্ঞবেদীৰ ওপৰত তুমি প্ৰতিদিনে
সদায় এবছৰীয়া দুটা মেৰ-ছাগ পোৱালি বলি উৎসৰ্গ কৰিবা। ৩৯
তাৰে এটা ৰাতিপুৱা, আনটো গধূলি উৎসৰ্গ কৰিবা। ৪০ প্ৰথম মেৰ-
ছাগ পোৱালিটোৰ লগত হিনৰ চাৰি ভাগৰ এভাগ খুন্দি উলিওৱা
হিন তেল মিহলোৱা এক ঐফাৰ দহ ভাগৰ এভাগ মিহি আটাগুড়ি,
আৰু পেয় নৈবেদ্যৰ বাবে হিনৰ চাৰিভাগৰ এভাগ দ্ৰাক্ষাৰস দিবা।
৪১ দ্বিতীয় মেৰ-ছাগ পোৱালিটো গধূলি উৎসৰ্গ কৰিবা। ৰাতিপুৱাৰ
ভক্ষ্য আৰু পেয় নৈবেদ্যৰ দৰেই কৰিবা; সেয়ে সুমধুৰ সুগন্ধ উৎপন্ন
কৰি যিহোৱাৰ উদ্দেশ্যে অগ্নিকৃত উপহাৰ হ'ব। ৪২ তোমাৰ সৈতে
কথা পাতিবলৈ য'ত মই তোমাক সাক্ষাৎ কৰিম, সেই সাক্ষাৎ কৰা
তম্বুৰ দুৱাৰ মুখত যিহোৱাৰ সন্মুখত এয়ে তোমালোকৰ পুৰুষানুক্ৰমে
সদায় কৰিবলগীয়া হোমবলি হ'ব। ৪৩ সেই ঠাইতে মই ইস্ৰায়েলী
লোকসকলৰ সৈতে সাক্ষাৎ কৰিম; তাতে মোৰ প্ৰতাপৰ দ্বাৰাই সেই
তম্বু পবিত্ৰকৃত হ'ব। ৪৪ মই সেই সাক্ষাৎ কৰা তম্বু আৰু যজ্ঞবেদী

পবিত্ৰ কৰিম, আৰু মোৰ অৰ্থে পুৰোহিত কাৰ্য কৰিবলৈ হাৰোণক আৰু
তেওঁৰ পুত্ৰসকলকো পবিত্ৰ কৰিম। ৪৫ মই ইস্ৰায়েলী লোকসকলৰ
মাজত বাস কৰিম, আৰু তেওঁলোকৰ ঈশ্বৰ হম। ৪৬ তেতিয়া যিজন
সৰ্বশক্তিমান ঈশ্বৰে তেওঁলোকৰ মাজত বাস কৰিবলৈ তেওঁলোকক
মিচৰ দেশৰ পৰা উলিয়াই আনিলে, তেওঁলোকৰ সেই ঈশ্বৰ যিহোৱা
যে মই, সেই কথা তেওঁলোকে জানিব। ময়েই তেওঁলোকৰ ঈশ্বৰ
যিহোৱা।

৩০ তুমি ধূপ জ্বলাবৰ বাবে চিটীম কাঠেৰে এটা বেদী সাজিবা। ২
সেয়ে এহাত দীঘল, এহাত বহল হ'ব; আৰু সেই বেদীৰ চাৰিওদিশ
সমান হ'ব। ওখই দুহাত; তাৰ শিংবোৰ একে ডোখৰ কাঠেৰে হ'ব
লাগিব। ৩ তুমি বেদীটোৰ ওপৰত, চাৰিও ফালে আৰু শিংবোৰত শুদ্ধ
সোণৰ পতা মাৰি আৱৰণ কৰিবা। তাৰ চাৰিওফালৰ কিনাৰত সোণ
লগাবা। ৪ তুমি সোণৰ দুটা আঙঠি গঢ়াই, কিনাৰৰ তলত দুই কাষৰ
দুই চুকৰ ওপৰত লগাবা। বেদীটো বৈ নিবলৈ আঙঠি দুটা কানমাৰি
সুমুউৱাৰ ঠাই হ'ব। ৫ সেই কানমাৰি চিটীম কাঠেৰে সাজিবা, আৰু
তাত সোণৰ পতা মাৰিবা। ৬ তুমি ধূপবেদিটো সাক্ষ্য-ফলিৰ নিয়ম
চন্দুকৰ পৰ্দাৰ আগফালে ৰাখিব লাগিব। সেই পৰ্দা সাক্ষ্য-ফলিৰ নিয়ম
চন্দুকৰ ওপৰত থকা পাপাবৰণৰ ওচৰত থাকিব। সেই ঠাইতে মই
তোমালোকৰ সৈতে সাক্ষাৎ কৰিম। ৭ হাৰোণে প্ৰতি ৰাতিপুৱা সুগন্ধি
ধূপ জ্বলাব। প্ৰতি ৰাতিপুৱা প্ৰদীপ পৰিষ্কাৰ কৰা সময়ত তেওঁ সেই
ধূপ জ্বলাব। ৮ গধূলিও প্ৰদীপ জ্বলোৱাৰ সময়ত তেওঁ ধূপ জ্বলাব।
সেয়ে তোমালোকৰ পুৰুষানুক্ৰমে যিহোৱাৰ সন্মুখত নিত্য ধূপদাহ
হ'ব। ৯ তোমালোকে তাৰ ওপৰত সাধাৰণ ধূপ, বা হোম বলি, বা
ভক্ষ্য নৈবেদ্য উৎসৰ্গ নকৰিবা, আৰু তাৰ ওপৰত পেয় নৈবেদ্যও
নাঢালিবা। ১০ বছৰত এবাৰ হাৰোণে তাৰ শিংবোৰ পবিত্ৰকৃত কৰিব।
তোমালোকৰ পুৰুষানুক্ৰমে প্ৰায়শ্চিত্তাৰ্থক পাপ-বলিৰ তেজেৰে তেওঁ
বছৰত এবাৰ পবিত্ৰকৃত কৰিব। এই বেদী যিহোৱাৰ উদ্দেশ্যে অতি
পবিত্ৰ হ'ব। ১১ যিহোৱাই মোচিক কলে, ১২ "তুমি যেতিয়া ইস্ৰায়েলৰ
জনসংখ্যা গণনা কৰিবা, তেতিয়া তেওঁলোকৰ প্ৰতিজনে যিহোৱাৰ

উদ্দেশ্যে নিজৰ নিজৰ প্ৰাণৰ অৰ্থে মুক্তি ধন দিব লাগিব। তুমি তোমাৰ
পাছত তেওঁলোকৰ গণনা কৰিব লাগিব। তুমি তেওঁলোকক গণনা
কৰিবা, তাতে তেওঁলোকৰ মাজত মহামাৰী নহ'ব। ১৩ প্ৰতিজন
লোকে গণনা কৰা সময়ত আধা চেকল ৰূপ দিব লাগিব। তেওঁ পবিত্ৰ-
স্থানৰ চেকল অনুসাৰে আধা চেকল দিব। আধা চেকলত বিশ গেৰা
হয়; সেই আধা চেকল যিহোৱাৰ উদ্দেশ্যে দিবলগা উপহাৰ। ১৪ বিশ
বছৰ আৰু তাতকৈ অধিক বয়সৰ লোক প্ৰতিজনে গণনা কৰা সময়ত,
যিহোৱালৈ উপহাৰ দিব লাগিব। ১৫ তোমালোকে প্ৰাণৰ অৰ্থে প্ৰায়শ্চিত্ত
কৰিবলৈ যিহোৱাৰ সেই উপহাৰ দিয়াৰ সময়ত, ধনী লোকসকলে
আধা চেকলতকৈ অধিক নিদিব, আৰু দুখীয়া লোকসকলে তাতকৈ কম
নিদিব। ১৬ তুমি ইস্ৰায়েলী লোকসকলৰ পৰা সেই প্ৰায়শ্চিত্তৰ ধন ল'ব
লাগিব, আৰু সেই ধন সাক্ষাৎ কৰা তম্বুৰ কাৰ্যৰ অৰ্থে দিব লাগিব।
তোমালোকৰ প্ৰাণৰ প্ৰায়শ্চিত্তৰ বাবে সেয়ে ইস্ৰায়েলী লোকসকলৰ
সোঁৱৰণৰ অৰ্থে যিহোৱাৰ আগত থাকিব।" ১৭ যিহোৱাই মোচিক
কলে, ১৮ "প্ৰক্ষালনৰ বাবে তুমি পিতলৰ এটা প্ৰক্ষালন-পাত্ৰ গঢ়াবা,
আৰু তাত পিতলৰ খুৰা লগাবা। তুমি সেই প্ৰক্ষালন পাত্ৰ সাক্ষাৎ কৰা
তম্বু আৰু হোম বেদীৰ মাজত থবা; আৰু তুমি ইয়াৰ ভিতৰত পানী
ভৰাই ৰাখিবা। ১৯ হাৰোণ আৰু তেওঁৰ পুত্ৰসকলে তাত থকা পানী লৈ
নিজৰ হাত ভৰি ধুব। ২০ তেওঁলোকে যেতিয়া সাক্ষাৎ কৰা তম্বুত
সোমাব, বা যিহোৱাৰ পৰিচৰ্যা কৰিবলৈ, তেওঁৰ উদ্দেশ্যে অগ্নিকৃত
উপহাৰ দগ্ধ কৰিবলৈ বেদীৰ ওচৰলৈ যাব, তেতিয়া তেওঁলোকৰ
যেন মৃত্যু নহয়, সেই কাৰণে তেওঁলোকে নিজৰ হাত ভৰি ধুব। ২১
তেওঁলোকৰ মৃত্যু নহবলৈ তেওঁলোকৰ নিজৰ হাত ভৰি ধুব লাগিব।
এয়ে তেওঁ আৰু তেওঁৰ বংশৰ পুৰুষানুক্ৰমে পালন কৰিব লগীয়া
চিৰস্থায়ী বিধি হ'ব।" ২২ যিহোৱাই মোচিক ক'লে, ২৩ "তুমি নিজৰ
বাবে বিশেষ বিশেষ সুগন্ধি দ্ৰব্য, অৰ্থাৎ পবিত্ৰ-স্থানৰ চেকল অনুসাৰে,
পাঁচশ চেকল গন্ধৰস, আৰু দুশ পঞ্চাশ চেকল সুগন্ধি ডালচেনি, দুশ
পঞ্চাশ চেকল সুগন্ধি বচ, ২৪ পাঁচ শ চেকল তেজপাত, আৰু এক
হিন জিতগছৰ তেল ল'বা। ২৫ সেইবোৰেৰে তুমি অভিষেকৰ অৰ্থে

পবিত্ৰ তেল, অৰ্থাৎ সুগন্ধি দ্ৰব্য ব্যৱসায়ীয়ে তৈয়াৰ কৰা অনুসাৰে
সুগন্ধি তেল যুগুত কৰিবা। সেয়ে অভিষেকৰ পবিত্ৰ তেল হ'ব। ২৬
তুমি সাক্ষাৎ কৰা তম্বু, সাক্ষ্য ফলিৰ নিয়ম চন্দুক, ২৭ মেজ আৰু
তাৰ সকলো সঁজুলি, দীপাধাৰ আৰু তাৰ সঁজুলিবোৰ, ধূপ বেদী, ২৮
হোমবেদি আৰু তাৰ সকলো সঁজুলি, প্ৰক্ষালন পাত্ৰ আৰু তাৰ খুৰা সেই
অভিষেক তেলেৰে অভিষেক কৰিবা।" ২৯ সেই সকলোকে অভিষেক
কৰি পবিত্ৰ কৰিবা; তাতে সেই সকলো বস্তু মোৰ বাবে পবিত্ৰ আৰু
সংৰক্ষিত হ'ব। সেইবোৰৰ সংস্পৰ্শত যি লোক আহিব, তেৱোঁ পবিত্ৰ
হ'ব। ৩০ মোৰ উদ্দেশ্যে পুৰোহিত কাৰ্য কৰিবলৈ, তুমি হাৰোণ আৰু
তেওঁৰ পুত্ৰসকলক অভিষেক কৰি তেওঁলোকক পবিত্ৰ কৰিবা। ৩১
তুমি ইস্ৰায়েলী লোকসকলক কবা, "তোমালোকৰ পুৰুষানুক্ৰমে মোৰ
বাবে সেয়ে অভিষেকৰ পবিত্ৰ তেল হ'ব। ৩২ মানুহৰ গাত সেই তেল
ব্যৱহাৰ কৰা নহ'ব। সেই তেলৰ সূত্ৰ অনুসাৰে, সেই তেলৰ দৰে আন
কোনো তেল প্ৰস্তুত কৰা নহ'ব; কাৰণ সেয়ে মোৰ বাবে পবিত্ৰ কৰি
সংৰক্ষিত কৰা তেল। ৩৩ যি কোনোৱে এই তেলৰ দৰে আন সুগন্ধি
প্ৰস্তুত কৰিব, বা যি কোনোৱে গাত তাৰ অলপো লগাব, তেওঁক নিজৰ
লোকসকলৰ মাজৰ পৰা উচ্ছন্ন কৰা হ'ব'।" ৩৪ যিহোৱাই মোচিক
ক'লে, "তুমি নিজৰ বাবে সুগন্ধি দ্ৰব্য, অৰ্থাৎ নাটাফ, নখী, হেল্বনা, এই
সকলো সুগন্ধি দ্ৰব্যৰ, আৰু নিৰ্মল কুন্দুৰুৰ প্ৰতিটো সমান পৰিমাণে
লোৱা। ৩৫ সেইবোৰৰ দ্বাৰাই সুগন্ধি-দ্ৰব্য ব্যৱসায়ীৰ সূত্ৰ অনুসাৰে
লোণ মিহলোৱা এক নিৰ্মল পবিত্ৰ সুগন্ধি ধূপ যুগুত কৰা। ৩৬ সেই
ধূপ গুড়ি কৰি মিহি কৰিবা, যি সাক্ষাৎ কৰা তম্বুত মই তোমাৰে সৈতে
সাক্ষাৎ কৰিম, সেই সাক্ষ্য ফলিৰ নিয়ম চন্দুকৰ সন্মুখত তাক থবা।
সেয়ে তোমালোকলৈ অতি পবিত্ৰ হ'ব। ৩৭ তুমি যি সুগন্ধি ধূপ প্ৰস্তুত
কৰিবা, সেই সূত্ৰ অনুসাৰে তোমালোকৰ বাবে ধূপ প্ৰস্তুত নকৰিবা।
সেয়ে তোমাৰ মানত যিহোৱাৰ উদ্দেশ্যে পবিত্ৰ হ'ব। ৩৮ যি কোনোৱে
নিজৰ বাবে এইদৰে সুগন্ধি তৈয়াৰ কৰিব, তেওঁক নিজৰ লোকসকলৰ
মাজৰ পৰা উচ্ছন্ন কৰা হ'ব।"

৩১ তাৰ পাছত যিহোৱাই মোচিক ক'লে, ২ "চোৱা, মই যিহূদা
ফৈদৰ পৰা হূৰ, হূৰৰ পুত্ৰ ঊৰী, ঊৰীৰ পুত্ৰ বচলেলক নাম কাঢ়ি
মাতিলোঁ। ৩ মই বচলেলক মোৰ আত্মাৰে পৰিপূৰ্ণ কৰিম, তেওঁলৈ
সকলো প্ৰকাৰ শিল্পকৰ্মৰ বাবে প্ৰজ্ঞা, বুদ্ধি, আৰু জ্ঞান দিম। ৪ সোণ,
ৰূপ, আৰু পিতলত শিল্পিসুলভ নক্সাৰে কাম কৰিব। ৫ তেওঁ পাথৰ
কটা, পাথৰ খটোৱা আৰু কাঠৰ কাম, এই সকলো প্ৰকাৰৰ শিল্পকৰ্ম
কৰে। ৬ চোৱা, মই দান ফৈদৰ অহীচামকৰ পুত্ৰ অহলীয়াবক তেওঁৰ
সহকাৰী নিযুক্ত কৰিলোঁ। সকলো জ্ঞানী লোকৰ হৃদয়ত দক্ষতাৰে
পৰিপূৰ্ণ কৰিলোঁ; সেয়ে মই তোমাক যিবোৰ নিৰ্মাণ কৰিবলৈ আজ্ঞা
দিলোঁ, সেই সকলোবোৰ তেওঁলোকে নিৰ্মাণ কৰিব। ৭ সাক্ষাৎ কৰা
তম্বু, সাক্ষ্য-ফলিৰ নিয়ম চন্দুক, আৰু নিয়ম চন্দুকৰ ওপৰত থকা
পাপাবৰণ, আৰু তম্বুৰ সকলো আচবাবপত্ৰ। ৮ মেজ আৰু তাৰ সামগ্ৰী,
শুদ্ধ সোণৰ দীপাধাৰাৰ সৈতে তাৰ সকলো সামগ্ৰী, ধূপবেদী, ৯
হোমবেদিৰ সৈতে সকলো সামগ্ৰী, প্ৰক্ষালন-পাত্ৰৰ সৈতে তাৰ খুৰা।
১০ এই সকলো বোৱা বস্ত্ৰৰ লগত সংযুক্ত কৰা হৈছিল। পুৰোহিতৰ
পৰিচৰ্যাৰ বাবে পুৰোহিত হাৰোণ আৰু তেওঁৰ পুত্ৰসকল বাবে এই
সকলো পবিত্ৰ বস্ত্ৰ। ১১ অভিষেক তেল, আৰু পবিত্ৰ স্থানৰ বাবে
মধুৰ সুগন্ধি ধূপ। মই যিদৰে তোমাক আজ্ঞা কৰিলোঁ, সেইদৰেই
শিল্পকাৰ সকলে সকলো বস্তু তৈয়াৰ কৰিব।" ১২ যিহোৱাই মোচিক
ক'লে, ১৩ "তুমি ইস্ৰায়েলী লোকসকলক কোৱা, 'তোমালোকে নিশ্চয়
মোৰ বিশ্ৰাম-দিন পালন কৰিব লাগিব। ময়েই যে তোমালোকৰ
যিহোৱা, ইয়াক যেন তোমালোকে বুজি পোৱা, সেই বাবে তোমালোকৰ
পুৰুষানুক্ৰমে মোৰ আৰু তোমালোকৰ মাজত এয়ে এক চিন হ'ব।
১৪ সেয়ে তোমালোকে বিশ্ৰাম-দিন পালন কৰিব লাগিব; কিয়নো
তোমালোকৰ বাবে সেয়ে পবিত্ৰ দিন। যিজনে সেই দিন অপবিত্ৰ
কৰিব, অৱশ্যেই তেওঁৰ প্ৰাণ দণ্ড হ'ব; কিয়নো যিকোনোৱে সেই
দিনা কাম কৰিব, তেওঁক নিজৰ লোকসকলৰ মাজৰ পৰা উচ্ছন্ন
কৰা হ'ব। ১৫ ছয়দিন কাম কৰিব লাগিব, কিন্তু সপ্তম দিন সম্পূৰ্ণ
বিশ্ৰামৰ বাবে বিশ্ৰাম-দিন হ'ব। সেয়ে যিহোৱাৰ উদ্দেশ্যে পবিত্ৰ দিন;

সেই বিশ্ৰাম দিনত যি কোনোৱে কাম কৰিব, তাৰ অৱশ্যেই প্ৰাণদণ্ড
হ’ব। ১৬ এই হেতুকে ইস্ৰায়েলী লোকসকলে চিৰস্থায়ী বিধিৰূপে
পুৰুষানুক্ৰমে মানি চলিবলৈ এই বিশ্ৰাম দিন পালন কৰিবা। ১৭ মোৰ
আৰু ইস্ৰায়েলী লোকসকলৰ মাজত এয়ে চিৰস্থায়ী চিন হ’ব; কাৰণ
যিহোৱাই ছয়দিনতে আকাশ-মণ্ডল আৰু পৃথিৱী সৃষ্টি কৰি সপ্তম দিনা
বিশ্ৰাম কৰিবৰ বাবে বিশ্ৰাম লৈছিল’।” ১৮ যিহোৱাই যেতিয়া চীনয়
পৰ্ব্বতত মোচিৰ সৈতে কথা পাতি শেষ কৰিলে, তেতিয়া ঈশ্বৰে নিজৰ
হাতেৰে লিখা সাক্ষ্য-ফলি দুখন মোচিক দিলে।

৩২ পৰ্ব্বতৰ পৰা নামি আহিবলৈ মোচিৰ পলম হোৱা দেখি,
লোকসকলে হাৰোণৰ চাৰিওফালে গোট খাই তেওঁক ক’লে, “আহক,
আমাৰ আগে আগে যাবৰ বাবে আমাৰ অৰ্থে এজন দেৱতা নিৰ্মাণ
কৰোঁ। কিয়নো যি দেৱতবোৰে আমাক মিচৰ দেশৰ পৰা উলিয়াই
আনিছিল, সেই মোচিৰ লগত কি হ’ল, সেই বিষয়ে আমি একো
নাজানো।” ২ তেতিয়া হাৰোণে তেওঁলোকক ক’লে, “আপোনালোকে
আপোনালোকৰ ভাৰ্যা, পুত্ৰ আৰু জীয়েক সকলৰ কাণৰ সোণৰ
ফুলিবোৰ সোলোকাই মোৰ ওচৰলৈ আনক।” ৩ সকলো লোকে নিজৰ
নিজৰ কাণৰ পৰা সোণৰ ফুলিবোৰ সোলোকাই হাৰোণৰ ওচৰলৈ
আনিলে। ৪ হাৰোণে তেওঁলোকৰ পৰা সোণ ল’লে, আৰু সেইবোৰ
সাঁচত ঢলি এটা দামুৰিৰ আকৃতিৰে সোণৰ দামুৰি তৈয়াৰ কৰিলে। তাৰ
পাছত লোকসকলে ক’লে, “হে ইস্ৰায়েল, মিচৰ দেশৰ পৰা তোমাক
উলিয়াই অনা ঈশ্বৰ এয়া।” ৫ হাৰোণে যেতিয়া এইবোৰ দেখিলে,
তেতিয়া সেই দামুৰিটোৰ আগত এটা যজ্ঞবেদী নিৰ্মাণ কৰিলে;
আৰু “কাইলৈ যিহোৱাৰ সন্মানৰ উদ্দেশ্যে উৎসৱ হ’ব”; এইবুলি
তেওঁ ঘোষণা কৰিলে। ৬ লোকসকলে তাৰ পাছ দিনা ৰাতিপুৱাতে
উঠি হোম-বলি উৎসৰ্গ কৰিলে, আৰু মঙ্গলাৰ্থক বলি দিলে। তাৰ
পাছত তেওঁলোকে ভোজন পান কৰিবলৈ বহিলে, আৰু ভোজন কৰাৰ
পাছত উঠি আনন্দেৰে উৎসৱ পালন কৰিলে। ৭ তেতিয়া যিহোৱাই
মোচিক ক’লে, “তুমি তোমাৰ লোকসকলৰ ওচৰলৈ বেগাই যোৱা;
কাৰণ যি লোকসকলক তুমি মিচৰ দেশৰ পৰা উলিয়াই আনিলা,

তেওঁলোকে নিজেই নিজকে ভ্ৰষ্ট কৰিছে। ৮ তেওঁলোকক যি পথত
যাবলৈ মই আজ্ঞা দিছিলোঁ, সেই পথৰ পৰা তেওঁলোকে ক্ষিপ্ৰবেগে
ঘূৰিলে। তেওঁলোকে নিজৰ বাবে সাঁচত ঢলা এটা দামুৰি নিৰ্মাণ
কৰিলে, আৰু তাৰ আগত প্ৰণিপাত কৰিলে। তেওঁলোকে ক'লে, 'হে
ইস্ৰায়েল, মিচৰ দেশৰ পৰা তোমাক উলিয়াই অনা ঈশ্বৰ এয়া'।" ৯
যিহোৱাই মোচিক পুনৰ ক'লে, "মই সেই লোকসকলক দেখিলোঁ।
চোৱা, তেওঁলোক ঠৰডিঙীয়া লোক। ১০ সেয়ে এতিয়া মোক বাধা
দিবলৈ চেষ্টা নকৰিবা। তেওঁলোকৰ বিৰুদ্ধে মোৰ ক্ৰোধ প্ৰজ্বলিত হৈছে,
সেয়ে মই তেওঁলোকক সংহাৰ কৰিম। তাৰ পাছতহে মই তোমাৰ
পৰা এক মহাজাতি উৎপন্ন কৰিম।" ১১ কিন্তু মোচিয়ে তেওঁৰ ঈশ্বৰ
যিহোৱাক শান্ত কৰিবলৈ চেষ্টা কৰি ক'লে, "হে যিহোৱা, আপোনাৰ
লোকসকলৰ বিৰুদ্ধে কিয় ক্ৰোধ প্ৰজ্বলিত হৈছে; কাৰণ তেওঁলোকক
আপুনি মহা পৰাক্ৰম আৰু বলৱান হাতেৰে মিচৰ দেশৰ পৰা উলিয়াই
আনিলে। ১২ মিচৰীয়া লোকসকলক কিয় ক'ব দিব যে, 'তেওঁলোকক
পৰ্ব্বতীয়া অঞ্চলত বিনষ্ট কৰি পৃথিৱীৰ পৰা লুপ্ত কৰিবৰ বাবেহে তেওঁ
তেওঁলোকক বাহিৰ কৰি আনিলে'। আপুনি নিজৰ প্ৰচণ্ড ক্ৰোধৰ পৰা
ঘূৰি নিজৰ লোকসকলৰ অপকাৰ কৰাৰ বিষয়ে ক্ষান্ত হওক। ১৩
আপোনাৰ দাস অব্ৰাহাম, ইচহাক, আৰু ইস্ৰায়েলক সোঁৱৰণ কৰক।
তেওঁলোকৰ আগত আপুনি নিজৰ নামেৰে শপত দি তেওঁলোকক
কৈছিলে, 'মই আকাশৰ তৰাবোৰৰ নিচিনাকৈ তোমালোকৰ বংশ
বৃদ্ধি কৰিম, আৰু এই যি দেশৰ কথা কলোঁ, সেই গোটেইখন দেশ
তোমালোকৰ বংশক দিম। তেওঁলোকে চিৰকাল অধিকাৰ কৰিব'।" ১৪
তেতিয়া যিহোৱাই নিজৰ লোকসকলৰ যি অপকাৰ কৰিম বুলি কৈছিল,
তাৰ পৰা ক্ষান্ত হ'ল। ১৫ তাৰ পাছত মোচিয়ে ঘূৰি, সাক্ষ্য ফলি দুখন
হাতত লৈ পৰ্ব্বতৰ পৰা নামি আহিল। সেই ফলিৰ আগফালৰ আৰু
পিছফালৰ দুয়ো পিঠিতে লিখা আছিল। ১৬ সেই ফলি দুখন ঈশ্বৰে
নিজৰ হাতেৰে তৈয়াৰ কৰা। সেই দুখন ফলিৰ লিখনীও ঈশ্বৰে নিজে
লিখা আছিল। ১৭ যিহোচূৱাই যেতিয়া লোকসকলৰ চিঞঁৰ শুনিলে,
তেতিয়া তেওঁ মোচিক ক'লে, "ছাউনিত যুদ্ধৰ শব্দ হৈছে।" ১৮ কিন্তু

মোচিয়ে তেওঁক ক'লে, "এয়ে জয় ধ্বনিৰ শব্দ নহয়; আৰু পৰাজয়ী
লোকসকলৰো শব্দ নহয়, কিন্তু গান গোৱাৰহে শব্দ মই শুনিবলৈ
পাইছোঁ।"
১৯ মোচিয়ে যেতিয়া তম্বুৰ ওচৰ চাপি আহিল, তেতিয়া
তেওঁ সেই দামুৰিটোক দেখিলে, আৰু লোকসকলে তেতিয়া নাচি
আছিল। তেওঁ ক্ৰোধান্বিত হ'ল। তেওঁৰ হাতৰ পৰা সেই ফলি দুখন
পৰি গ'ল; আৰু পৰ্ব্বতৰ তলত পৰি ভাঙি গ'ল।
২০ লোকসকলে নিৰ্মাণ
কৰা দামুৰিটো লৈ জুইত পুৰি দিলে। পুৰা দামুৰিটোক পিহি ধূলিৰ
নিচিনা কৰি পানীত মিহলাই ইস্ৰায়েলী লোকসকলক পান কৰালে।
২১ তাৰ পাছত মোচিয়ে হাৰোণক ক'লে, "এই লোকসকলে তোমাক
কি কৰিছিল, যে তুমি তেওঁলোকক এনে মহাপাপত পেলালা?"
২২
হাৰোণে ক'লে, "হে মোৰ প্ৰভু, আপোনাৰ ক্ৰোধ প্ৰজ্বলিত নহওঁক;
আপুনি এই লোকসকলক জানে, যে তেওঁলোক দুষ্ট কাৰ্যত কিমান
আসক্ত।
২৩ তেওঁলোকে মোক ক'লে, 'আমাৰ আগে আগে যাবৰ
বাবে আমাৰ অৰ্থে এজন দেৱতা নিৰ্মাণ কৰক; কাৰণ যি মোচিয়ে
আমাক মিচৰ দেশৰ পৰা উলিয়াই আনিলে, সেই মোচিৰ কি হ'ল,
সেই বিষয়ে আমি নাজানো'।
২৪ সেয়ে মই তেওঁলোকক ক'লোঁ, 'যি
কোনো লোকৰ সোণৰ অলঙ্কাৰ আছে, সেই সকলোবোৰ সোলোকাই
দিয়ক'। তেতিয়া তেওঁলোকে সেই সোণবোৰ মোক দিলে, আৰু মই
সেইবোৰ জুইত পেলাই দিলোঁ; আৰু এই দামুৰি বাহিৰলৈ ওলাই
আহিল।"
২৫ মোচিয়ে দেখিলে যে, হাৰোণৰ লোকসকলৰ ওপৰত
নিয়ন্ত্ৰণ হেৰাইছে আৰু তেওঁলোকে নিজৰ ইচ্ছামতে চলি, তেওঁলোক
শত্ৰুবোৰৰ আগত হাঁহিয়াতৰ পাত্ৰ হৈছে।
২৬ তেতিয়া মোচিয়ে তম্বুৰ
প্ৰৱেশ দুৱাৰত থিয় হৈ ক'লে, "যিজন যিহোৱাৰ ফলীয়া, তেওঁ মোৰ
ওচৰলৈ আহক।" লেবীৰ সকলো লোক তেওঁৰ চাৰিওকাষে গোট
খালে।
২৭ তেতিয়া মোচিয়ে তেওঁলোকক ক'লে, "ইস্ৰায়েলৰ ঈশ্বৰ
যিহোৱাই এই কথা কৈছে, 'তোমালোক প্ৰতিজনে নিজৰ তৰোৱাল
নিজৰ কাষত বান্ধা, আৰু তম্বুৰ চাৰিওফালৰ এটা প্ৰৱেশ দুৱাৰৰ
পৰা আন প্ৰৱেশ দুৱাৰলৈকে ঘূৰি গৈ নিজৰ ভাই, বন্ধু আৰু চুবুৰীয়া
সকলক বধ কৰা'।"
২৮ তেতিয়া লেবীয়া লোকসকলে মোচিয়ে কোৱাৰ

দৰেই কৰিলে। সেইদিনা লোকসকলৰ মাজত প্ৰায় তিনি হাজাৰ
লোকৰ মৃত্যু হ'ল। ২৯ মোচিয়ে লেবীয়া লোকসকলক ক'লে, "আজিৰ
পৰা যিহোৱাই তোমালোকক তেওঁৰ সেৱাৰ বাবে উৎসৰ্গ কৰিলে;
কাৰণ তোমালোক প্ৰতিজনে তোমালোকৰ ভাইসকলৰ বিৰুদ্ধে কাৰ্য
কৰিলা, সেয়ে যিহোৱা তোমালোকক আজি আশীৰ্ব্বাদ কৰিলে।" ৩০
তাৰ পাছদিনা মোচিয়ে লোকসকলক ক'লে, "তোমালোকে মহাপাপ
কৰিলা। মই এতিয়া যিহোৱাৰ ওচৰলৈ যাওঁ; যদি পাৰোঁ তেনেহ'লে
মই তোমালোকৰ পাপৰ প্ৰায়শ্চিত্ত কৰিম।" ৩১ মোচিয়ে যিহোৱাৰ
ওচৰলৈ উভটি গৈ ক'লে, "হায় হায়, এই লোকসকলে মহাপাপ কৰিলে;
আৰু নিজৰ বাবে এটা সোণৰ দেৱতা নিৰ্মাণ কৰিলে। ৩২ তথাপি
এতিয়া অনুগ্ৰহ কৰি তেওঁলোকক ক্ষমা কৰক; কিন্তু যদি আপুনি
ক্ষমা নকৰে, তেনেহ'লে আপুনি লিখা আপোনাৰ পুস্তকৰ পৰা মোৰ
নাম বাহিৰ কৰি দিয়ক।" ৩৩ যিহোৱাই মোচিক ক'লে, "যি জনে
মোৰ বিৰুদ্ধে পাপ কৰিলে, সেই জনৰ নামহে মই মোৰ পুস্তকৰ পৰা
বাহিৰ কৰিম। ৩৪ এতেকে এতিয়া যোৱা, মই যি দেশৰ বিষয়ে
তোমাক কৈছিলোঁ, সেই দেশলৈকে লোকসকলক লৈ যোৱা। চোৱা,
মোৰ দূত তোমাৰ আগে আগে যাব; কিন্তু যি দিনা তেওঁলোকে দণ্ড
পাব লাগে; সেই দিনা তেওঁলোকৰ পাপৰ দণ্ড মই দিম।" ৩৫ তাৰ
পাছত যিহোৱাই লোকসকলৰ ওপৰত মহামাৰী পঠাই আঘাত কৰিলে;
কিয়নো লোকসকলে হাৰোণক দামুৰি নিৰ্মাণ কৰিবলৈ বাধ্য কৰিছিল।

৩৩ যিহোৱাই মোচিক ক'লে, "ইয়াৰ পৰা যোৱা, যি দেশ তোমাৰ
বংশক দিম বুলি মই অব্ৰাহাম, ইচহাক, আৰু যাকোবৰ আগত
শপত কৰিছিলোঁ, সেই দেশলৈ, মিচৰ দেশৰ পৰা বাহিৰ কৰি অনা
লোকসকলৰ সৈতে তুমি যোৱা। ২ মই তোমাৰ আগে আগে এজন
দূত পঠাম, আৰু কনানীয়া, ইমোৰীয়া, হিত্তীয়া, পৰিজ্জীয়া, হিব্বীয়া,
আৰু যিবুচীয়া লোকসকলক খেদিম। ৩ গাখীৰ আৰু মৌজোল বৈ
থকা দেশলৈ যোৱা। কিন্তু মই তোমালোকৰ লগত নাযাওঁ; কাৰণ
তোমালোক ঠৰডিঙীয়া লোক। মই হয়তো বাটতে তোমালোকক বিনষ্ট
কৰিব পাৰোঁ।" ৪ লোকসকলে যেতিয়া সেই সমস্যাৰ কথা শুনিলে,

তেতিয়া তেওঁলোকে শোক কৰিলে; আৰু কোনো এজনেও অলঙ্কাৰ পৰিধান নকৰিলে। ৫ যিহোৱাই মোচিক কৈছিল, “তুমি ইস্ৰায়েলী লোকসকলক এই কথা কোৱা, ‘তোমালোক ঠৰডিঙীয়া লোক। মই যদি তোমালোকৰ মাজলৈ এক মুহূৰ্তৰ বাবেও যাওঁ, তেনেহ’লে মই তোমালোকক বিনষ্ট কৰিম। সেয়ে তোমালোকৰ লগত মই কি কৰিব লাগে, সেই বিষয়ে যেতিয়ালৈকে মই সিদ্ধান্ত নলওঁ, তেতিয়ালৈকে তোমালোকে নিজৰ অলঙ্কাৰ খুলি ৰাখিব’।” ৬ তেতিয়া ইস্ৰায়েলী লোকসকলে হোৰেব পৰ্ব্বতৰ পৰাই নিজৰ অলঙ্কাৰবোৰ পৰিধান নকৰিলে। ৭ মোচিয়ে তম্বুৰ কাপোৰ এটা লৈ, তম্বুৰ বাহিৰত কিছু দূৰত তৰিলে; আৰু তাৰ নাম সাক্ষাৎ কৰা তম্বু ৰাখিলে। যিহোৱাক বিচাৰা প্ৰতিজনে তম্বুৰ বাহিৰত থকা সেই সাক্ষাৎ কৰা তম্বুলৈ যায়। ৮ মোচি যেতিয়া সেই তম্বুৰ ভিতৰলৈ যায়, তেতিয়া সকলো লোকে উঠি প্ৰতিজনে নিজৰ তম্বুৰ প্ৰবেশ দুৱাৰত থিয় হয়। মোচিয়ে যেতিয়ালৈকে সেই তম্বুত নোসোমায়, তেতিয়ালৈকে লোকসকলে মোচিক চাই থাকে। ৯ মোচি যেতিয়াই তম্বুত সোমায়, তেতিয়াই মেঘ-স্তম্ভ নামি আহি তম্বুৰ প্ৰবেশ দুৱাৰত স্থিতি লয়, আৰু যিহোৱাই মোচিৰে সৈতে কথা পাতে। ১০ লোকসকলে যেতিয়াই তম্বুৰ প্ৰবেশ দুৱাৰত মেঘ-স্তম্ভ স্থিতি হোৱা দেখে, তেতিয়াই প্ৰতিজনে নিজৰ তম্বুৰ প্ৰবেশ দুৱাৰত থিয় হৈ আৰাধনা কৰে। ১১ যিদৰে মানুহে নিজৰ বন্ধুৰ লগত কথা পাতে, সেইদৰে যিহোৱাই মুখামুখি মোচিৰ লগত কথা পাতে। তাৰ পাছত মোচিয়ে তম্বুৰ পৰা ওলাই আহে, কিন্তু তেওঁৰ যুৱক পৰিচাৰক, নুনৰ পুত্ৰ যিহোচূৱা তম্বুৰ ভিতৰতে থাকে। ১২ মোচিয়ে যিহোৱাক ক’লে, “চাওক, আপুনি এই লোকসকলক লৈ মোক যাত্ৰা কৰিব কৈছে; কিন্তু মোৰ লগত যি জনক পঠাব, তেওঁৰ বিষয়ে আপুনি মোক জানিব দিয়া নাই। আপুনি কৈছিল, মই নামৰ দ্বাৰাই তোমাক জানো, আৰু তুমি মোৰ দৃষ্টিত অনুগ্ৰহ পালা। ১৩ এতিয়া মই যদি আপোনাৰ দৃষ্টিত অনুগ্ৰহ পালোঁ, তেনেহ’লে বিনয় কৰিছোঁ, মই যেন আপোনাক জানি আপোনাৰ দৃষ্টিত অনুগ্ৰহ পাওঁ, সেই বাবে মোক আপোনাৰ পথ দেখাওক; আৰু এই লোকসকল যে আপোনাৰেই লোক ইয়াকো

সোঁৱৰণ কৰক।” ১৪ তেতিয়া যিহোৱাই উত্তৰ দিলে, “মই স্বয়ং তোমাৰ
লগত যাম, আৰু মই তোমাক বিশ্ৰাম দিম।” ১৫ মোচিয়ে তেওঁক ক’লে,
“যদি আপুনি স্বয়ং মোৰ লগত নাযায়, তেনেহ’লে আমাক ইয়াৰ পৰা
লৈ নাযাব। ১৬ নহ’লে আমি কি দৰে বুজি পাম যে, আপোনাৰ দৃষ্টিত
মই আৰু আপোনাৰ লোকসকলে অনুগ্ৰহ পাইছো ইয়াক কিহৰ দ্বাৰাই
জনা যাব? আপুনি আমাৰ লগত যোৱাৰ দ্বাৰায়েই মই আৰু আপোনাৰ
লোকসকল পৃথিৱীত থকা সকলো জাতিৰ পৰা পাৰ্থক্য হ’ব।” ১৭
যিহোৱাই মোচিক ক’লে, “এই যি কথা তুমি ক’লা, তাকো মই কৰিম।
কিয়নো তুমি মোৰ দৃষ্টিত অনুগ্ৰহ পাইছা, আৰু মই তোমাক তোমাৰ
নামে সৈতে জানো।” ১৮ তেতিয়া মোচিয়ে ক’লে, “বিনয় কৰিছোঁ
মোক আপোনাৰ প্ৰতাপ দেখাওক।” ১৯ যিহোৱাই ক’লে, “মই তোমাৰ
ওচৰেৰে মোৰ সকলো ধাৰ্মিকতা গমন কৰাম, আৰু তোমাৰ আগত
মোৰ নাম ঘোষণা কৰিম। যাক মই অনুগ্ৰহ কৰিব খোজোঁ, তাক মই
অনুগ্ৰহ কৰিম, আৰু যাক মই দয়া কৰিব খোজোঁ, তাক মই দয়া
কৰিম।” ২০ কিন্তু যিহোৱাই পুনৰ ক’লে, “তুমি মোৰ চেহেৰা দেখা
নোপোৱা; কাৰণ কোনো মানুহে মোক দেখাৰ পাছত জীয়াই নাথাকে।”
২১ যিহোৱাই ক’লে, “চোৱা, মোৰ ওচৰত এটা শিল আছে, আৰু তুমি
সেই শিলটোৰ ওপৰত থিয় হ’বা। ২২ তোমাৰ আগেদি যেতিয়া মোৰ
প্ৰতাপ গমন কৰিব, তেতিয়া মই তোমাক শিলটোৰ ফাটত থম, আৰু
মোৰ গমন শেষ নোহোৱালৈকে মোৰ হাতেৰে তোমাক ঢাকি ধৰিম।
২৩ তাৰ পাছত মই তোমাৰ ওপৰৰ পৰা হাত গুচাম, আৰু তুমি মোৰ
পাছফাল দেখিবলৈ পাবা, কিন্তু মোৰ মুখ দেখা নাপাবা।”

**৩৪** যিহোৱাই মোচিক ক’লে, “তুমি প্ৰথম ফলিৰ দৰে দুখন শিলৰ
ফলি কাটা। তুমি ভঙা আগৰ সেই ফলি দুখনত যি যি লিখা আছিল,
সেই সকলো কথা, মই পুনৰ এই দুখন ফলিত লিখিম। ২ তুমি
ৰাতিপুৱাতে যুগুত হৈ চীনয় পৰ্ব্বতলৈ উঠি আহিবা। পৰ্ব্বতৰ ওপৰত
মোৰ ওচৰত উপস্থিত হ’বা। ৩ আন কোনো লোক তোমাৰ লগত
নাহিব; আৰু গোটেই পৰ্ব্বতত কোনো লোক যেন দেখা পোৱা নাযায়।
গৰু মেৰ-ছাগৰ জাকোবোৰো যেন পৰ্ব্বতৰ আগত চৰি নাথাকে।”

৪ সেয়ে মোচিয়ে আগৰ নিচিনা শিলৰ দুখন ফলি কাটি, যিহোৱাৰ
আজ্ঞা অনুসাৰে ৰাতিপুৱাই উঠি চীনয় পৰ্ব্বতলৈ গ'ল। যিহোৱাই
নিৰ্দ্দেশ দিয়া অনুসাৰে শিলৰ সেই ফলি দুখনো লগত লৈ গ'ল। ৫
যিহোৱা মেঘৰ মাজত নামি আহিল; আৰু মোচিৰ সৈতে সেই ঠাইত
থিয় হ'ল। তেওঁ "যিহোৱা" নাম উচ্চাৰণ কৰিলে। ৬ যিহোৱাই তেওঁৰ
আগেদি গমন কৰিলে আৰু ঘোষণা কৰিলে, "যিহোৱা, যিহোৱা কৃপা
আৰু দয়াৰে পৰিপূৰ্ণ ঈশ্বৰ, ক্ৰোধত ধীৰ, দয়া আৰু সত্যতাত মহান;
৭ হাজাৰ হাজাৰ পুৰুষলৈকে দয়া কৰোঁতা; অপৰাধ, আজ্ঞা লঙ্ঘন,
আৰু পাপ ক্ষমা কৰোঁতা। তথাপি তেওঁ নিশ্চয়ে দোষীক নিৰ্দ্দোষী
নকৰে। তৃতীয় চতুৰ্থ পুৰুষলৈকে তেওঁলোকৰ সন্তানক পিতৃৰ অপৰাধৰ
প্ৰতিফল দিওঁতা।" ৮ তেতিয়া মোচিয়ে বেগাই মাটিলৈ মূৰ দোঁৱাই
প্ৰণিপাত কৰিলে, ৯ তাৰ পাছত মোচিয়ে কলে, "হে প্ৰভু, মই যদি
আপোনাৰ দৃষ্টিত অনুগ্ৰহ পাইছোঁ, তেনেহ'লে বিনয় কৰিছোঁ আমাৰ
লগত যাওঁক। কিয়নো এইলোক ঠৰডিঙীয়া লোক; আৰু আমাৰ
অপৰাধ আৰু পাপ ক্ষমা কৰি, আমাক নিজৰ অধিকাৰৰ অৰ্থে গ্ৰহণ
কৰক।" ১০ যিহোৱাই কলে, "চোৱা, এই বিষয়ত মই এটি নিয়ম
কৰিলোঁ। মই তোমাৰ লোকসকলৰ আগত এনে আচৰিত কৰ্ম কৰিম
যে, ইয়াৰ পূৰ্বে গোটেই পৃথিৱীত আৰু কোনো জাতিতৰ মাজত এনে
কৰ্ম হোৱা নাই। তুমি যি লোকসকলৰ মাজত আছা, তেওঁলোক
সকলোৱে যিহোৱাৰ সেই কাৰ্য দেখিব, কাৰণ তোমাৰ আগত মই যি
কৰিম, সেয়ে ভয়ঙ্কৰ হ'ব। ১১ মই তোমাক যি আজ্ঞা দিছোঁ আজি
তাক পালন কৰা। মই ইমোৰীয়া, কনানীয়া, হিত্তীয়া, পৰিজ্জীয়া,
হিব্বীয়া, আৰু যিবুচীয়া সকলক তোমাৰ আগৰ পৰা খেদি বাহিৰ
কৰিম। ১২ সাৱধান, তোমালোক যি দেশলৈ গৈ আছা, সেই দেশত
নিবাস কৰা লোকসকলৰ সৈতে কোনো নিয়ম স্থিৰ নকৰিবা। যদি কৰা,
তেনেহ'লে সেয়ে তোমাৰ মাজত ফান্দস্বৰূপ হ'ব। ১৩ তাৰ পৰিৱৰ্তে,
তোমালোক তেওঁলোকৰ যজ্ঞবেদিবোৰ ভাঙিব লাগিব। তেওঁলোকৰ
স্তম্ভবোৰ গুড়ি কৰিবা, আৰু তেওঁলোকৰ আচেৰা দেৱীৰ দণ্ডবোৰ
কাটি পেলাবা। ১৪ তুমি অন্য কোনো দেৱতাৰ আৰাধনা নকৰিবা;

কাৰণ, মই যিহোৱা, যাৰ নাম ঈৰ্ষান্বিত; তেওঁ নিজ মৰ্য্যাদা ৰখাত
ঈৰ্ষান্বিত ঈশ্বৰ। ১৫ তুমি সেই দেশ নিবাসী সকলৰ সৈতে কোনো
চুক্তি নকৰিবা; কাৰণ তেওঁলোকে ব্যভিচাৰ কৰে আৰু দেৱতাবোৰৰ
আগত তেওঁলোকে বলিদান কৰে। তেওঁলোকে তেওঁলোকৰ নৈবেদ্য
খাবলৈ তোমালোকক নিমন্ত্ৰণ কৰিব। ১৬ সেয়ে তোমালোকে যদি
তেওঁলোকৰ ছোৱালী নিজৰ পুত্ৰৰ বাবে বিয়া কৰি আনা, তেনেহ'লে
সেই ছোৱালীয়ে তোমালোকৰ পুত্ৰক তেওঁলোকৰ দেৱতাৰ অনুগামী
কৰাব; আৰু ব্যভিচাৰ কৰাব। তোমালোকৰ পুত্ৰসকলেও তেওঁলোকৰ
দেৱতাৰ অনুগামী হৈ ব্যভিচাৰ কৰিব। ১৭ তুমি নিজৰ বাবে কোনো
দেৱমূৰ্তি নিৰ্মাণ নকৰিবা। ১৮ তোমালোকে খমীৰ নিদিয়া পিঠাৰ পৰ্ব্ব
পালন কৰিবা। মই তোমালোকক আজ্ঞা দিয়াৰ দৰে আবীব মাহৰ
নিৰূপিত কালত সাত দিন ধৰি খমীৰ নিদিয়া পিঠা খাবা। কিয়নো
সেই আবীব মাহতে তুমি মিচৰ দেশৰ পৰা ওলাই আহিলা। ১৯
প্ৰথমে জন্ম হোৱা সকলো মোৰ, এনেকি গৰু, মেৰ-ছাগ সকলো পশু
জাকৰ মাজতো সকলো প্ৰথমে জগা মতা পশু মোৰ। ২০ তোমালোকে
প্ৰথমে জগা গাধ কিনিব খোজা যদি এটা মেৰ-ছাগ দিব লাগিব; কিন্তু
যদি কিনি লব নোখোজা, তেনেহ'লে তোমালোকে গাধটোৰ ডিঙি
নিশ্চয় ভাঙিব লাগিব। তোমালোকৰ প্ৰথমে জন্ম হোৱা পুত্ৰসকলক
তোমালোক কিনি ল'ব লাগিব। কোনো এজনো শুদা হাতে মোৰ আগত
উপস্থিত নহ'বা। ২১ তোমালোকে ছয় দিন পৰিশ্ৰম কৰিবা, কিন্তু সপ্তম
দিনা বিশ্ৰাম কৰিবা। শস্য ৰোৱা আৰু শস্য দোৱা সময়ত অৱশ্যে
বিশ্ৰাম কৰিবা। ২২ তোমালোক সপ্তাহৰ পৰ্ব্ব পালন কৰিবা। ঘেঁহু
কটাৰ প্ৰথম ফল এই পৰ্ব্বত ব্যৱহাৰ কৰিবা, আৰু বছৰৰ শেষত ফল
চপোৱাৰ পৰ্ব্ব পালন কৰিবা। ২৩ বছৰত তিনিবাৰ তোমালোকৰ
পুৰুষসকল ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাৰ আগত উপস্থিত হ'ব। ২৪ মই
তোমালোকৰ পৰা পৰজাতিসকলক দূৰ কৰিম, আৰু তোমালোকৰ
দেশৰ সীমা বিস্তাৰ কৰিম। তোমালোক অৱশ্যে বছৰত তিনিবাৰ
নিজৰ ঈশ্বৰ যিহোৱাৰ আগত উপস্থিত হ'ব লাগিব, যাতে কোনেও
তোমালোকৰ দেশ অধিকাৰ কৰাৰ চেষ্টা নকৰে। ২৫ তোমালোকে

মোৰ নৈবেদ্য হিচাপে তেজ উৎসৰ্গ কৰোঁতে তাৰ লগত খমীৰ নিদিবা।
নিস্তাৰ-পৰ্ব্বত উৎস্বৰ্গিত মাংস পাছদিনা ৰাতিপুৱালৈকে নাৰাখিবা।
২৬ তোমালোকে নিজৰ খেতিৰ প্ৰথম ফলৰ উত্তম ভাগ নিজৰ ঈশ্বৰ
যিহোৱাৰ গৃহলৈ আনিবা। তোমালোকে ছাগলী পোৱালিক তাৰ মাকৰ
গাখীৰ দি নিসিজাবা।" ২৭ তাৰ পাছত যিহোৱাই মোচিক ক'লে,
"তোমাক মই যি সকলো কথা কলোঁ, সেই সকলো লিখি ৰাখা। ইয়াৰ
দ্বাৰাই তোমাৰ আৰু ইস্ৰায়েলৰ লগত মই এটি নিয়ম স্থিৰ কৰিলোঁ।"
২৮ মোচি সেই ঠাইত যিহোৱাৰ সৈতে চল্লিশ দিন চল্লিশ ৰাতি বাস
কৰিছিল। মোচিয়ে চল্লিশ দিন একো ভোজন পান কৰা নাছিল; আৰু
তেওঁ সেই দুখন ফলিত নিয়মৰ বাক্য, দহ আজ্ঞা লিখিছিল। ২৯
মোচি যেতিয়া সেই দুখন ফলি লৈ চীনয় পৰ্ব্বতৰ পৰা নামি আহিল,
তেতিয়া যিহোৱাৰ লগত কথা পতাৰ পাছত তেওঁৰ চেহেৰা যে উজ্জ্বল
হৈ আছিল, সেই কথা মোচিয়ে নিজে জনা নাছিল। ৩০ হাৰোণ আৰু
ইস্ৰায়েলৰ সকলো লোকে মোচিৰ চেহেৰা উজ্জ্বল দেখি, তেওঁলোকে
তেওঁৰ ওচৰলৈ যাবলৈ ভয় কৰিলে। ৩১ কিন্তু মোচিয়ে তেওঁলোকক
মাতিলে, তেতিয়া হাৰোণ আৰু সমাজৰ মূখ্যলোক সকল তেওঁৰ
ওচৰলৈ ওভটি আহিল। তেতিয়া মোচিয়ে তেওঁলোকৰ লগত কথা
পাতিলে। ৩২ তাৰ পাছত, ইস্ৰায়েলৰ লোকসকল মোচিৰ ওচৰ
চাপিলে। তেওঁ চীনয় পৰ্ব্বতত যিহোৱাই যিবোৰ আজ্ঞা দিছে সেই
সকলো তেওঁলোকক ক'লে। ৩৩ মোচিয়ে যেতিয়া তেওঁলোকৰ লগত
কথা পাতি শেষ কৰিলে, তেতিয়া মোচিয়ে নিজৰ চেহেৰা ওৰণি লৈ
ঢাকি ল'লে। ৩৪ মোচিয়ে যেতিয়াই যিহোৱাৰ লগত কথা পাতিবলৈ
তেওঁৰ সন্মুখলৈ গৈছিল, তেতিয়া সেই ওৰণি গুচাইছিল। কিন্তু ঘূৰি
অহাৰ লগে লগে তেওঁ পুনৰ ওৰণি লৈছিল। তেওঁ যি সকলো নিৰ্দেশ
পাইছিল, সেই সকলো তম্বুৰ বাহিৰলৈ আহি ইস্ৰায়েলৰ লোকসকলক
কৈছিল। ৩৫ তেতিয়া ইস্ৰায়েলী লোকসকলে তেওঁৰ চেহেৰাত এটা
উজ্জ্বলতা দেখা পাইছিল। কিন্তু মোচিয়ে যিহোৱাৰ লগত কথা পাতিবলৈ
পুনৰ ভিতৰলৈ নোযোৱালৈকে, নিজৰ চেহেৰা ওৰণিৰে ঢাকি লৈছিল।

৩৫ মোচিয়ে ইস্ৰায়েলৰ লোকসকলক গোট খুৱালে, আৰু
তেওঁলোকক ক'লে, "আপোনালোকে পালন কৰিবলৈ যিহোৱাই
দিয়া আজ্ঞা এইবোৰ। ২ ছয়দিন কাম কৰিব, কিন্তু সপ্তম দিনা
আপোনালোকলৈ পবিত্ৰ দিন হ'ব। সেয়ে যিহোৱাৰ উদ্দেশ্যে সম্পূৰ্ণ
বিশ্ৰামৰ বাবে বিশ্ৰাম-দিন হ'ব; যি কোনোৱে সেই দিনা কাম কৰিব,
তাৰ নিশ্চয় প্ৰাণদণ্ড হ'ব। ৩ বিশ্ৰাম দিনত আপোনালোকৰ কাৰো ঘৰত
জুই নজ্বলাব।" ৪ মোচিয়ে ইস্ৰায়েলৰ সকলো সমাজক কলে, "যিহোৱাই
দিয়া আজ্ঞা এইবোৰ; ৫ যিহোৱাৰ বাবে আপোনালোকে উপহাৰ
আনক। ইচ্ছাকৃত মনেৰে আনিব বিচাৰা উপহাৰসমূহ এইবোৰ; সোণ,
ৰূপ আৰু পিতল; ৬ নীলা, বেঙুনীয়া, আৰু ৰঙা বৰণীয়া সূতা, মিহি শণ
সূতা, আৰু ছাগলীৰ নোম। ৭ ৰঙা ৰং কৰা মেৰ-ছাগৰ ছাল, তহচ
জন্তুৰ ছাল, আৰু চিটীম কাঠ। ৮ প্ৰদীপৰ বাবে তেল, আৰু অভিষেক
তেল আৰু সুগন্ধি ধূপৰ বাবে গন্ধদ্ৰব্য। ৯ এফোদ আৰু বুকুপতাৰ
বাবে গোমেদক আৰু আন বহুমূলীয়া পাথৰ। ১০ আপোনালোকৰ
মাজৰ প্ৰত্যেক দক্ষতাসম্পন্ন লোক আহক, আৰু যিহোৱাই আজ্ঞা কৰা
সকলোকে তৈয়াৰ কৰক। ১১ আবাসৰ তম্বু, আবৰণ, হাঁকোটা, তক্তা,
ডাং, খুঁটা, আৰু চুঙী। ১২ চন্দুক আৰু তাৰ কানমাৰি, পাপাবৰণ আৰু
আঁৰ কৰি ৰখা পৰ্দা। ১৩ তেওঁলোকে মেজৰ সৈতে তাৰ খুটাবোৰ,
আৰু তাৰ সকলো সঁজুলি, দৰ্শন-পিঠা; ১৪ দীপ্তিৰ বাবে দীপাধাৰ আৰু
তাৰ প্ৰয়োজনীয় সামগ্ৰী, প্ৰদীপবোৰ, আৰু প্ৰদীপৰ বাবে তেল; ১৫
ধূপ-বেদি আৰু তাৰ খুটাবোৰ, অভিষেকৰ তেল আৰু সুগন্ধি ধূপ,
আবাসৰ প্ৰবেশ দুৱাৰত ওলমাবলৈ পৰ্দা। ১৬ হোমবলিৰ বাবে বেদি
আৰু তাৰ পিতলৰ জালি, খুটাবোৰ আৰু তাৰ সামগ্ৰী, ডাঙৰ পাত্ৰ আৰু
তাৰ ভিত্তি আনিব। ১৭ তেওঁলোকে চোতালত ওলমাবলৈ তাৰ খুঁটা,
চুঙী, আৰু চোতালৰ দুৱাৰৰ পৰ্দাবোৰ, ১৮ আবাসৰ খুঁটা, চোতালৰ
খুটাৰ সৈতে সেইবোৰৰ ৰচি। ১৯ তেওঁলোকে পবিত্ৰ-স্থানত পৰিচৰ্যা
কৰিবৰ বাবে বোৱা মিহি বস্ত্ৰ, পুৰোহিতৰ কৰ্ম কৰিবলৈ হাৰোণ আৰু
তেওঁৰ পুত্ৰসকলৰ বস্ত্ৰ আনিব।" ২০ তাৰ পাছত ইস্ৰায়েলৰ জাতিৰ
সকলো লোক মোচিৰ আগৰ পৰা আঁতৰি গ'ল। ২১ যিসকলৰ হৃদয়ত

প্ৰবৃত্তি আৰু মনত ইচ্ছা জন্মিল তেওঁলোকে যিহোৱাৰ বাবে উপহাৰ
আনিলে। তেওঁলোকে সাক্ষাৎ কৰা তম্বুৰ, তম্বুৰ সম্পৰ্কীয় সকলো
সামগ্ৰীৰ, আৰু পবিত্ৰ বস্ত্ৰৰ বাবে যিহোৱাৰ উদ্দেশ্যে উপহাৰ আনিলে।
২২ পুৰুষ আৰু স্ত্ৰী যিসকল লোকৰ ইচ্ছা জন্মিল, তেওঁলোক সকলোৱে
ব্ৰোচ, কাণফুলি, আঙঠি, আৰু অলঙ্কাৰ, সকলো ধৰণৰ সোণৰ অলঙ্কাৰ
আনিলে। তেওঁলোকে যিহোৱাৰ উদ্দেশ্যে সোণৰ উপহাৰ আনিলে।
২৩ যিসকল লোকৰ নীলা, বেঙুনীয়া, আৰু ৰঙা বৰণীয়া সূতা আৰু মিহি
শণ সূতা, ছাগলীৰ নোম, ৰঙা ৰং কৰা মেৰ-ছাগৰ ছাল, আৰু তহচ
জন্তুৰ ছাল আছিল, তেওঁলোকে প্ৰতিজনে সেইবোৰ আনিলে। ২৪
প্ৰতিজনে যিহোৱাৰ উদ্দেশ্যে ৰূপ বা পিতল উপহাৰস্বৰূপে আনিলে;
আৰু যিসকলৰ চিটীম কাঠ আছিল, তেওঁলোক যিকোনো কাৰ্যত
ব্যৱহাৰ কৰিবলৈ সেইবোৰ আনিলে। ২৫ প্ৰত্যেক দক্ষতাসম্পন্ন মহিলা
নিজৰ হাতেৰে সূতা কাটি নীলা, বেঙুনীয়া, ৰঙা বৰণীয়া আৰু মিহি
শণ সূতা আনিলে। ২৬ সকলো মহিলাৰ যিসকলৰ হৃদয়ত উৎসাহ
জন্মিছিল তেওঁলোকে ছাগলীৰ নোমৰ সূতা কাটিলে। ২৭ মূখ্যলোক
সকলে এফোদ আৰু বুকুপটাত লগাবলৈ গোমেদ আৰু আন পাথৰ
আনিলে। ২৮ তেওঁলোকে মছলা আৰু প্ৰদীপৰ বাবে তেল, অভিষেকৰ
তেল, আৰু সুগন্ধি ধূপৰ বাবে সুগন্ধি দ্ৰব্য আনিলে। ২৯ ইস্ৰায়েলৰ
সকলোলোকে ইচ্ছাকৃত ভাৱে যিহোৱাৰ উদ্দেশ্যে উপহাৰ আনিলে।
প্ৰত্যেক পুৰুষ আৰু মহিলাই ইচ্ছাকৃতভাৱে উপহাৰ প্ৰদান কৰিলে।
যিহোৱাই মোচিক যিসকলো কৰিবলৈ আজ্ঞা কৰিছিল, সেই সকলো
উপহাৰ সামগ্ৰীৰ সহায়ত মোচিয়ে তৈয়াৰ কৰিলে। ৩০ তাৰ পাছত
মোচিয়ে ইস্ৰায়েলৰ লোকসকলক ক'লে, "চোৱা, যিহোৱাই যিহূদা
ফৈদৰ হূৰৰ পুত্ৰ ঊৰী, ঊৰীৰ পুত্ৰ বচলেলৰ নাম কাঢ়ি মাতিলে। ৩১
যিহোৱাই বচলেলক তেওঁৰ আত্মাৰে পৰিপূৰ্ণ কৰিলে, তেওঁক জ্ঞান,
বুদ্ধি, বিদ্যা, আৰু সকলো প্ৰকাৰ শিল্প কৌশল দিলে। ৩২ তেওঁ সোণ,
ৰূপ, আৰু পিতলৰ সামগ্ৰী তৈয়াৰ কৰি তাৰ ওপৰত কাৰুকাৰ্য কৰিব।
৩৩ পাথৰ কাটি খটাব পাৰে, আৰু কাঠেৰেও সকলো প্ৰকাৰ শিল্প কৰ্ম
কৰিব পাৰে। ৩৪ যিহোৱাই বচলেল আৰু অহলীয়াবক শিক্ষা দান

কৰিবলৈ বিশেষ ক্ষমতা দিলে, অহলীয়াব হ'ল দান বংশৰ অহীচামকৰ
পুত্ৰ। ৩৫ যিহোৱাই এই দুয়োজনক সকলো প্ৰকাৰ কাৰ্য কৰিবলৈ
বিশেষ দক্ষতা দিলে। তেওঁলোক সূতাৰ আৰু ধাতুৰ কাৰ্য কৰাত
দক্ষতাসম্পন্ন। নীলা, বেঙুনীয়া, আৰু ৰঙা বৰণীয়া মিহি শণ সূতাৰে
ফুল বছা কৰ্ম, আৰু কাপোৰ বোৱা কাৰ্য কৰে। তেওঁলোকে সকলো
প্ৰকাৰৰ শিল্পকাৰ্য কৰে, আৰু তেওঁলোক শিল্পিসুলভ নক্সাকাৰ।
**৩৬** সেয়ে পবিত্ৰ-স্থানৰ সকলো কাৰ্য ভালদৰে কৰিবলৈ, যিহোৱাই
বচলেল আৰু অহলীয়াৰ সৈতে আন যি সকলো লোকক দক্ষতা
আৰু বুজিব পৰা শক্তি দিলে, সেই সকলো জ্ঞানী লোকে যিহোৱাৰ
আজ্ঞা অনুসাৰে কাৰ্য কৰিব।" ২ তাৰ পাছত মোচিয়ে বচলেল
আৰু অহলীয়াবৰ সৈতে যিহোৱাই যিসকল লোকক দক্ষতা দিছিল,
আৰু ইচ্ছাকৃত ভাৱে তেওঁলোকৰ লগত কাম কৰিবলৈ আহিছিল,
তেওঁলোকক মাতিলে। ৩ তেওঁলোকে, পবিত্ৰ-স্থানৰ নিৰ্মাণ কাৰ্যৰ
বাবে ইস্ৰায়েলী লোকসকলে আনি দিয়া সকলো উপহাৰ মোচিৰ পৰা
গ্ৰহণ কৰিলে। লোকসকলে প্ৰতি ৰাতিপুৱা মোচিৰ আগত ইচ্ছাকৃত
ভাৱে দান আনিছিল। ৪ সেয়ে পবিত্ৰ স্থানত কাম কৰি থকা সকলো
দক্ষতাসম্পন্ন লোকসকল কামৰ পৰা আহিল। ৫ তেওঁলোকে মোচিক
ক'লে, "যিহোৱাই যিবোৰ কাম কৰিবলৈ আজ্ঞা দিছিল, সেই কাৰ্যৰ
বাবে প্ৰয়োজনীয় বস্তুতকৈ লোকসকলে অধিক বস্তু আনি আছে।"
৬ সেয়ে মোচিয়ে নিৰ্দেশ দিলে যে, তম্বুত থকা লোকসকলে পবিত্ৰ-
স্থানৰ কাৰ্যৰ বাবে আৰু উপহাৰ আনিব নালাগে। তেতিয়া লোকসকলে
উপহাৰ অনা বন্ধ কৰিলে। ৭ কিয়নো সকলো কাৰ্য কৰিবৰ অৰ্থে
তেওঁলোকৰ যথেষ্ট বস্তু আছিল, এনেকি প্ৰয়োজনতকৈ অধিক আছিল।
৮ সেয়ে তেওঁলোকৰ মাজত শিল্পকাৰ্য কৰা লোকসকলে আবাসৰ
কাৰ্য আৰম্ভ কৰিলে। তেওঁলোকে পকোৱা মিহি শণ সূতা, আৰু নীলা,
বেঙুনীয়া, আৰু ৰঙা বৰণীয়া সূতাৰে দহখন পৰ্দা তৈয়াৰ কৰিলে।
তেওঁলোকে পৰ্দাৰ ওপৰত কৰূবৰ ছবি আঁকিলে। এই কাৰ্য অতি
নিপূণ শিল্পকাৰ বচলেলৰ কাম আছিল। ৯ প্ৰত্যেকখন পৰ্দাই সমান
জোখৰ আছিল, আঠাইশ হাত দীঘল, আৰু চাৰি হাত বহল। ১০ তাৰ

পাছত বচলেলে পাঁচখন পৰ্দা ইখনক সিখনৰ লগত জোৰা দিলে, আৰু আন পাঁচখনো ইখনক সিখনৰ লগত জোৰা দিলে। ১১ তেওঁ নীলা জৰীৰ পাক প্ৰথমে জোৰা দিয়া পাঁচখন পৰ্দাৰ শেষৰ খনৰ আউঠিত লগালে, আৰু দ্বিতীয়তে জোৰা দিয়া পাঁচখন পৰ্দাৰ শেষৰ খনৰ আউঠিতো নীলা জৰীৰ পাক দিলে। ১২ সেই প্ৰথমখন পৰ্দাৰ পঞ্চাশটা আউঠিত পঞ্চাশটা জৰীৰ পাক, আৰু দ্বিতীয়তে জোৰা দিয়া পৰ্দাৰ শেষৰ আউঠিত পঞ্চাশটা জৰীৰ পাক দিলে। সেই জৰীৰ পাক দুশাৰী মুখামুখকৈ লগালে। ১৩ তেওঁ সোণৰ পঞ্চাশটা হাঁকোটা গঢ়াই, সেই হাঁকোটাৰে পৰ্দা দুখন ইখনক সিখনৰ লগত বান্ধিলে; আৰু এইদৰে সেই আবাস একলগ কৰি এটা কৰা হ'ল। ১৪ সেই আবাসৰ ওপৰৰ তম্বুৰ বাবে ছাগলীৰ নোমেৰে কাপোৰ যুগুত কৰিলে। তেওঁ এঘাৰখন পৰ্দা যুগুত কৰিলে। ১৫ প্ৰতিখন পৰ্দা সমান জোখৰ আছিল, দীঘলে ত্ৰিশ হাত, আৰু বহলে চাৰি হাত। ১৬ তেওঁ পাঁচখন পৰ্দা ইখনক সিখনৰ লগত জোৰা দিলে, আৰু আন ছয়খন পৰ্দা ইখনক সিখনৰ লগত জোৰা দিলে। ১৭ প্ৰথমে জোৰা দিয়া পাঁচখন পৰ্দাৰ শেষৰ খনৰ আউঠিত পঞ্চাশটা জৰীৰ পাক, আৰু তেনেকুৱাই জোৰা দিয়া দ্বিতীয়খন পৰ্দাৰ শেষৰ আউঠিত পঞ্চাশটা জৰীৰ পাক দিলে। ১৮ বচলেলে প্ৰথম আৰু দ্বিতীয়তে জোৰা দিয়া পৰ্দাবোৰ লগলগাই তম্বু একে লগ কৰিবৰ অৰ্থে পিতলৰ পঞ্চাশটা হাঁকোটা গঢ়ালে। ১৯ ৰঙা ৰং কৰা মেৰ-ছাগৰ ছালেৰে তম্বুৰ বাবে এটা আবৰণ আৰু তাৰ ওপৰতো তহচ জন্তুৰ ছালেৰে আৰু এটা আবৰণ যুগুত কৰিলে। ২০ বচলেলে আবাসৰ বাবে চিটীম কাঠেৰে থিয়কৈ দিয়া তক্তা যুগুত কৰিলে। ২১ তাৰ এখন তক্তা দহ হাত দীঘল, আৰু ডেৰ হাত বহল আছিল। ২২ প্ৰতিখন তক্তাত তেওঁ একে জোখৰ দুটাকৈ ওলোৱা অংশ কৰিলে; এইদৰে তাৰ আবাসৰ সকলো তক্তা কৰিলে। ২৩ এইদৰে আবাসৰ বাবে যি তক্তা প্ৰস্তুত কৰিলে তাৰে বিশখন তক্তা দক্ষিণ ফালৰ বাবে যুগুত কৰিলে। ২৪ বচলেলে সেই বিশখন তক্তাৰ তলত ৰূপৰ চল্লিশটা চুঙী গঢ়ালে; এখন তক্তাৰ তলত তাৰ দুটা খুটাৰ বাবে দুটা চুঙী, আৰু আন আন তক্তাৰ তলতো দুটাকৈ চুঙী গঢ়ালে। ২৫

আবাসৰ দ্বিতীয় ফালৰ উত্তৰ দিশে বিশখন তক্তা যুগুত কৰিলে, ২৬ আৰু সেইবোৰৰ বাবে ৰূপৰ চল্লিশটা চুঙী গঢ়ালে। এখন তক্তাৰ তলত দুটা চুঙী, আৰু আনবোৰ তক্তাৰ তলতো দুটাকৈ চুঙী লগালে। ২৭ আবাসৰ পিছফালৰ পশ্চিম দিশৰ বাবে ছয় খন তক্তা যুগুত কৰিলে। ২৮ আবাসৰ পিছফালৰ চুক দুটাৰ বাবে দুখন তক্তা যুগুত কৰিলে। ২৯ প্ৰত্যেক তক্তাৰ তলৰফাল খোলা ৰাখিলে, কিন্তু ওপৰফালে আঙঠিৰে একলগ কৰা হ'ল। দুয়োটা চুকৰ বাবে দুয়োখন তক্তা এইদৰে কৰা হ'ল। ৩০ ৰূপৰ চুঙীৰে সৈতে আঠখন তক্তা আছিল। সেইবোৰৰ বাবে ৰূপৰ চুঙী সৰ্বমুঠ ষোল্লটা, প্ৰত্যেক তক্তাৰ তলত দুটাকৈ চুঙী লগোৱা হ'ল। ৩১ বচলেলে আবাসৰ এফালৰ তক্তাৰ বাবে পাঁচডাল, ৩২ আৰু আবাসৰ আন ফালৰ তক্তাৰ বাবে পাঁচডাল, আৰু আবাসৰ পশ্চিম দিশে থকা পাছফালৰ তক্তাৰ বাবেও পাঁচডাল চিটীম কাঠৰ পথালি ডাং যুগুত কৰিলে। ৩৩ কিন্তু মাজৰ ডাং ডাল তক্তাবোৰৰ মাজেদি এমুৰৰ পৰা আন মুৰলৈকে যোৱাকৈ কৰিলে। ৩৪ সেই তক্তাবোৰত সোণৰ পতা মাৰিলে, আৰু ডাংবোৰ সুমুৱাবলৈ, সেইবোৰত সোণৰ আঙঠি গঢ়ালে; আৰু ডাং বোৰতো সোণৰ পতা মাৰিলে। ৩৫ বচলেলে নীলা, বেঙেনা, আৰু ৰঙা বৰণীয়া সূতা আৰু পকোৱা মিহি শণ সূতাৰে এখন পৰ্দা তৈয়াৰ কৰিলে। সেই পৰ্দাত নিপুণ শিল্পকাৰৰ দ্বাৰাই কৰূবৰ নক্সা তৈয়াৰ কৰা হ'ল। ৩৬ পৰ্দাৰ বাবে চিটীম কাঠৰ চাৰিটা খুঁটা বনাই, সেইবোৰত সোণৰ পতা মাৰিলে। খুটাৰ বাবে সোণৰ হাঁকোটা গঢ়ালে, আৰু ৰূপৰ চাৰিটা চুঙী সাঁচত ঢালিলে। ৩৭ তেওঁ তম্বুৰ দুৱাৰৰ বাবে নীলা, বেঙেনা আৰু ৰঙা বৰণীয়া সূতা আৰু পকোৱা মিহি শণ সূতাৰে বোৱা, শিল্পকাৰে ফুল বছা এখন পৰ্দা যুগত কৰিলে। ৩৮ পৰ্দাৰ বাবে পাঁচোটা খুঁটা আৰু সেইবোৰৰ হাঁকোটা বনালে। খুটাবোৰৰ ওপৰভাগত আৰু মাৰিবোৰত সোণৰ পতা মাৰিলে। সেইবোৰৰ বাবে পাঁচটা পিতলৰ চুঙী তৈয়াৰ কৰিলে।

**৩৭** তাৰ পাছত বচলেলে চিটীম কাঠৰ আঢ়ৈ হাত দীঘল, ডেৰ হাত বহল, আৰু ডেৰ হাত ওখকৈ নিয়ম চন্দুক নিৰ্মাণ কৰিলে। ২ তেওঁ নিয়ম চন্দুকৰ বাহিৰে ভিতৰে শুদ্ধ সোণৰ পতা মাৰিলে, আৰু তাৰ

চাৰিওফালৰ কিনাৰ বোৰত সোণ লগালে। ৩ তেওঁ তাৰ খুটাৰ বাবে সোণৰ চাৰিটা চক্র গঢ়ালে। তাৰ এফালে দুটা আন ফালে দুটা এই দৰে তাৰ চাৰিটা খুৰাত লগালে। ৪ আৰু তেওঁ চিটীম কাঠৰ দুডাল কানমাৰি সাজি, তাত সোণৰ পতা মাৰিলে। ৫ তেওঁ চন্দুক বৈ নিবলৈ, সেই কানমাৰি চন্দুকৰ দুই কাষে থকা আঙঠি সুমুৱালে। ৬ তেওঁ শুদ্ধ সোণৰ আঢ়ৈ হাত দীঘল আৰু ডেৰ হাত বহলকৈ এখন পাপাবৰণ সাজিলে। ৭ বচলেলে সোণ পিটাই দুটা সোণৰ কৰূব সাজিলে, আৰু পাপাবৰণৰ দুই মুৰত ৰাখিলে। ৮ এটা মুৰত এটা কৰূব আৰু আনটো মুৰত আন এটা কৰূব হ'ল। পাপাবৰণৰ দুই মুৰত একে ডোখৰ সোণতে সেই দুটা কৰূব সাজিলে। ৯ কৰূবে ওপৰলৈ ডেউকা মেলি নিজৰ ডেউকাৰে পাপাবৰণক ঢাকি ধৰিলে; আৰু কৰূব দুটা মুখামুখি হৈ থাকিল; আৰু কৰূবৰ দৃষ্টি পাপাবৰণৰ মাজভাগত আছিল। ১০ তেওঁ দুহাত দীঘল, এহাত বহল, আৰু ডেৰ হাত ওখকৈ চিটীম কাঠৰ মেজ সাজি, তাত শুদ্ধ সোণৰ পতা মাৰিলে। ১১ মেজখনত তেওঁ সোণৰ পতা মাৰিলে, আৰু তাৰ ওপৰৰ চাৰিওফালৰ দাঁতিত সোণ লগালে। ১২ তাৰ চাৰিওফালে চাৰি আঙুলি জোখৰ এটা কাঠৰ ফ্রেম যুগুত কৰিলে, আৰু ফ্রেমৰ চাৰিওকাষৰ দাঁতি সোণৰ কৰিলে। ১৩ তেওঁ তাৰ বাবে সোণৰ চাৰিটা আঙঠি সাঁচত ঢালিলে। সেই আঙঠি চাৰিটা খুঁটা থকা ঠাইৰ চাৰি চুকত লগালে। ১৪ মেজ বৈ নিবলৈ, আৰু কানমাৰি সুমুৱাবলৈ সেই আঙঠি ফ্রেমৰ কাষত লগালে। ১৫ তেওঁ মেজ বৈ নিবৰ কাৰণে চিটীম কাঠৰ দুডাল কানমাৰি সাজি, তাতো সোণৰ পতা মাৰিলে। ১৬ মেজৰ ওপৰত থকা পাত্রবোৰ, অর্থাৎ তাৰ কাঁহি, চামুচ, বাটি, আৰু দ্রাক্ষাৰস ঢালিবলৈ জাৰ প্রস্তুত কৰিলে। সেই সকলো শুদ্ধ সোণেৰে গঢ়ালে। ১৭ তেওঁ শুদ্ধ সোণ হাতুৰিৰে পিটি এটা দীপাধাৰ সাজিলে; তাৰ খুৰা, গা ভাগ, তাত কটা বাটি, কলি, আৰু ফুল একে ডোখৰ সোণেৰে গঢ়িলে। ১৮ তাৰ এফালৰ পৰা তিনটা শাখা, আৰু আনফালৰ পৰা তিনটা শাখা, এই দৰে সেই দীপাধাৰৰ দুই ফালৰ পৰা ছটা শাখা ওলাল। ১৯ তাৰ প্রথম শাখাত বাদাম ফুলৰ আকৃতিৰে তিনটা বাটি, এটা কলি, আৰু এটা ফুল, আৰু আনটো

শাখাত বাদাম ফুলৰ আকৃতিৰে তিনটা বাটি, এটা কলি, আৰু এটা ফুল কৰিলে। দীপাধাৰৰ পৰা ওলোৱা ছয়োটা শাখাত একে দৰেই কৰিলে। ২০ সেই দীপাধাৰৰ মাজভাগতো বাদামফুলৰ আকৃতিৰে চাৰিটা বাটি, তাৰ কলি আৰু ফুল কৰিলে। ২১ সেই দীপাধাৰৰ প্ৰথম জোৰা শাখাৰ তলত একে ডোখৰ সোণতে এটা কলি আৰু আনটো শাখাৰ তলতো একে ডোখৰ সোণতে এটা কলি আছিল। এইদৰে তৃতীয় শাখাতো একে ডোখৰ সোণতে এটা কলি আছিল। এইদৰেই দ্বীপাধাৰৰ পৰা বহিৰ ওলোৱা ছয়োটা শাখাতে একেদৰে কৰা আছিল। ২২ সেইবোৰৰ কলি আৰু সেইবোৰৰ ডাল একে ডোখৰ সোণতেই আছিল। সেই সকলোৱেই শুদ্ধ সোণ হাতুৰিৰে পিটি গঢ়োৱা হৈছিল। ২৩ বচলেলে দীপাধাৰৰ সাতোটা প্ৰদীপ, চেপেনা আৰু তাৰ ট্ৰে শুদ্ধ সোণেৰে গঢ়ালে। ২৪ সেই দীপাধাৰ আৰু তাৰ সকলো বস্তু এক কিক্কৰ শুদ্ধ সোণেৰে নিৰ্মান কৰিলে। ২৫ বচলেলে চিটীম কাঠেৰে ধূপ-বেদি নিৰ্মান কৰিলে। সেই বেদি এহাত দীঘল, আৰু এহাত বহল; তাৰ চাৰিওফালৰ চাৰিওটা চুক সমান; তাৰ ওখই দুহাত; আৰু তাৰ শিং একে ডোখৰ কাঠেৰেই তৈয়াৰ কৰা হ'ল। ২৬ তেওঁ ধূপ বেদিত, ইয়াৰ ওপৰত, কাষত, আৰু শিংবোৰত শুদ্ধ সোণেৰে পতা মাৰিলে। তেওঁ চাৰিওফালৰ দাঁতিও সোণেৰে তৈয়াৰ কৰিলে। ২৭ ধূপ বেদি বৈ নিবৰ বাবে কানমাৰি সুমুউৱাবলৈ, তেওঁ সোণৰ দুটা খাৰুৱা গঢ়ালে, আৰু দাঁতিৰ তলত দুয়ো ফালে লগালে। ২৮ তেওঁ চিটীম কাঠেৰে কানমাৰি সাজি, তাত সোণৰ পতা মাৰিলে। ২৯ সুগন্ধিদ্ৰব্য তৈয়াৰ কৰা লোক সকলৰ দৰে, তেওঁ অভিষেকৰ পবিত্ৰ তেল, আৰু শুদ্ধ সুগন্ধি ধূপ যুগুত কৰিলে।

**৩৮** বচলেলে চিটীম কাঠেৰে পাঁচ হাত দীঘল, পাঁচ হাত বহল, আৰু তিনি হাত ওখকৈ চাৰিওদিশ আৰু চাৰিওটা চুক সমানকৈ হোমবলিৰ অৰ্থে বেদি সাজিলে। ২ তেওঁ তাৰ চাৰিওটা চুক ষাঁড় গৰুৰ শিঙৰ আকৃতিত সাজিলে। সেই শিংবোৰ বেদিৰ সৈতে একে ডোখৰ কাঠেৰেই সাজিলে; আৰু তাত পিতলৰ পতা মাৰিলে। ৩ তেওঁ বেদিৰ সকলো সামগ্ৰী যেনে, ছাঁই পেলোৱা পাত্ৰ, ছাঁই উলিওৱা হেঁতা,

চৰিয়া, মাংস খোঁচ যাঠি, আৰু জুই ধৰা পাত্ৰ, এই সকলো সামগ্ৰী পিতলেৰে গঢ়ালে। ৪ তেওঁ বেদিৰ বাবে পিতলৰ জালি গঢ়ালে, আৰু বেদিৰ তলৰ পৰা ওপৰলৈকে আধা অংশত সেই জাল লগালে। ৫ কানমাৰি সুমুৱাবলৈ, চাৰিটা আঙঠি সাঁচত ঢালিলে, আৰু পিতলৰ সেই জালিৰ চাৰি চুকত লগালে। ৬ বচলেলে চিটীম কাঠেৰে মাৰি সাজিলে, আৰু তাত পিতলৰ পতা মাৰিলে। ৭ বেদি বৈ নিবৰ বাবে, তেওঁ তাৰ কাষত থকা আঙঠিত কানমাৰি সুমুৱালে; তেওঁ সেই বেদি তক্তাৰে ফোঁপোলাকৈ নিৰ্মান কৰিলে। ৮ যি মহিলাসকলে সাক্ষাৎ কৰা তম্বুৰ প্ৰবেশ দুৱাৰত সেৱা কৰিছিল, সেই মহিলাসকলৰ পিতলৰ দৰ্পণেৰে বচলেলে ডাঙৰ প্ৰক্ষালন পাত্ৰ আৰু তাৰ খুঁটা গঢ়ালে। ৯ তেওঁ চোতালখনো যুগুত কৰিলে। চোতালৰ দক্ষিণ দিশে পকোৱা মিহি শণ সূতাৰে এশ হাত দীঘল পৰ্দা যুগুত কৰিলে। ১০ বিশটা খুটাৰ পৰা পৰ্দাবোৰ ওলমোৱা হৈছিল, আৰু খুটাবোৰৰ বিশটা চুঙী পিতলৰ আছিল। খুটাবোৰৰ হাঁকোটা আৰু শলি ৰূপৰ আছিল। ১১ একেদৰেই উত্তৰদিশৰ বাবেও পৰ্দা যুগুত কৰিলে। সেইবোৰো এশ হাত দীঘল আছিল। সেইবোৰৰ খুঁটা বিশটা; আৰু খুটাবোৰৰ বিশটা চুঙী পিতলৰ আছিল, আৰু সেই খুটাবোৰৰ হাঁকোটা আৰু মাৰি ৰূপৰ আছিল। ১২ আৰু পশ্চিম দিশৰ পৰ্দা পঞ্চাশ হাত দীঘল আছিল। সেইবোৰৰ খুঁটা দহটা, আৰু খুটাবোৰৰ চুঙী দহটা আছিল; আৰু খুটাবোৰৰ হাঁকোটা আৰু মাৰি ৰূপৰ আছিল। ১৩ চোতালখনৰ পূৱদিশও পঞ্চাশ হাত দীঘল আছিল। ১৪ প্ৰবেশ দুৱাৰৰ এটা কাষৰ পৰ্দা পোন্ধৰ হাত দীঘল আছিল; আৰু সেইবোৰৰ খুঁটা তিনিটা আৰু খুটাবোৰৰ চুঙী তিনিটা আছিল। ১৫ চোতালৰ প্ৰবেশ দুৱাৰৰ আন কাষতো একেদৰে পোন্ধৰ হাত দীঘল পৰ্দা আছিল। সেইবোৰৰ খুঁটা তিনিটা আৰু খুটাবোৰৰ চুঙী তিনিটা আছিল। ১৬ চোতালৰ চাৰিওদিশৰ পৰ্দাবোৰ পকোৱা মিহি শণ সূতাৰে তৈয়াৰী আছিল। ১৭ খুটাবোৰৰ চুঙীবোৰ পিতলেৰে তৈয়াৰ কৰিছিল। খুটাবোৰৰ বাবে হাঁকোটা আৰু মাৰিবোৰ ৰূপেৰে তৈয়াৰ কৰিছিল। খুটাবোৰৰ মুৰ ৰূপেৰে তৈয়াৰ কৰা হৈছিল; আৰু চোতালৰ আটাইবোৰ খুটাতে ৰূপৰ মাৰি লগোৱা হৈছিল। ১৮ চোতালৰ দুৱাৰৰ

পৰ্দাবোৰ নীলা, বেঙুনীয়া, আৰু ৰঙা বৰণীয়া মিহি শণ সূতাৰে বোৱা, আৰু শিল্পকাৰে ফুল বাছি তৈয়াৰ কৰিছিল। পৰ্দাখন আছিল দীঘলে বিশ হাত, আৰু ওখই পাঁচ হাত, চোতালৰ বাকী পৰ্দাবোৰৰ জোখৰ আছিল। ১৯ পৰ্দাৰ বাবে চাৰিটা খুঁটা; আৰু চাৰিটা পিতলৰ চুঙী; আৰু সেইবোৰৰ হাঁকোটা ৰূপৰ আছিল। খুটাৰ ওপৰভাগ আৰু মাৰী বোৰ ৰূপেৰে তৈয়াৰী। ২০ আবাসৰ আৰু চোতালৰ চাৰিওফালৰ খুটাবোৰ পিতলৰ আছিল। ২১ মোচিৰ নিৰ্দেশ অনুসাৰে, সাক্ষ্য ফলি থকা আবাসৰ সকলো বস্তুৰ সংখ্যাৰ বৃত্তান্ত লিখিবলৈ পুৰোহিত হাৰোণৰ পুত্ৰ ঈথামৰে লেবীয়া সকলক আদেশ দিলে। ২২ যিহূদা ফৈদৰ হূৰৰ পুত্ৰ ঊৰী, ঊৰীৰ পুত্ৰ বচলেলে, যিহোৱাই মোচিক দিয়া আজ্ঞা অনুসাৰে সকলোকে কৰিলে। ২৩ দান ফৈদৰ অহীচামকৰ পুত্ৰ অহলীয়াব তেওঁৰ সহায়কাৰী আছিল, তেওঁ এজন দক্ষতাসম্পন্ন লোক আৰু নিপুণ শিল্পকাৰ আছিল। তেওঁ নীলা, বেঙুনীয়া আৰু ৰঙা বৰণীয়া মিহি শণ সূতাৰে ফুল বাছিব জনা লোক আছিল। ২৪ পবিত্ৰ স্থানৰ প্ৰকল্পৰ বাবে ব্যৱহাৰ হোৱা সকলো উপহাৰৰ সোণ পবিত্ৰ স্থানৰ চেকলৰ জোখৰ অনুপাতে ঊনত্ৰিশ কিক্কৰ আৰু সাত শ ত্ৰিশ চেকল আছিল। ২৫ সমাজৰ দ্বাৰাই দিয়া ৰূপৰ ওজন পবিত্ৰ স্থানৰ চেকলৰ জোখৰ অনুপাতে এশ কিক্কৰ আৰু এক হাজাৰ সাত শ পঁয়সত্তৰ চেকল আছিল। ২৬ বা বিশ বছৰ আৰু তাতকৈ অধিক বয়সৰ লোকপিয়ল অনুসাৰে ছয় লাখ তিনি হাজাৰ পাঁচশ পঞ্চাশ জন লোকৰ প্ৰতিজনে এক এক বেকা, অৰ্থাৎ পবিত্ৰ স্থানৰ চেকল অনুসাৰে আধা চেকলকৈ ৰূপ দিছিল। ২৭ এশ কিক্কৰ ৰূপ পবিত্ৰ স্থান আৰু পৰ্দাৰ চুঙীৰ বাবে খৰচ কৰা হ’ল। প্ৰত্যেক চুঙীত এক কিক্কৰকৈ এশ চুঙীৰ বাবে এশ কিক্কৰ ৰূপ খৰচ কৰা হ’ল। ২৮ এক হাজাৰ সাত শ পঁয়সত্তৰ চেকল ৰূপেৰে তেওঁ খুটাবোৰৰ হাঁকোটা তৈয়াৰ কৰিছিল। সেইবোৰৰ মুৰত, ৰূপৰ পতা মাৰিছিল, আৰু সেইবোৰৰ বাবে মাৰী তৈয়াৰ কৰা হৈছিল। ২৯ উপহাৰৰ পৰা পোৱা পিতলৰ ওজন সত্তৰ কিক্কৰ দুই হাজাৰ চাৰিশ চেকল আছিল। ৩০ এইবোৰেৰে তেওঁ সাক্ষাৎ কৰা তম্বুৰ প্ৰবেশ দুৱাৰৰ বাবে চুঙী, পিতলৰ বেদি, পিতলৰ জালিকটা, আৰু বেদিৰ

সকলো সামগ্ৰী তৈয়াৰ কৰিছিল। ৩১ চোতালৰ বাবে চুঙী, চোতালৰ প্ৰবেশ দুৱাৰৰ বাবে চুঙী, আবাসৰ বাবে সকলো খুঁটা, আৰু চোতালৰ বাবে সকলো খুঁটা গঢ়ালে।

**৩৯** তেওঁলোকে, যিহোৱাই মোচিক আজ্ঞা দিয়াৰ দৰে, নীল বৰণীয়া, বেঙেনা বৰণীয়া আৰু ৰঙা বৰণীয়া সূতাৰে, পবিত্ৰ স্থানত পৰিচৰ্যা কৰিবৰ বাবে নিপুণৰূপে বোৱা মিহি বস্ত্ৰ, আৰু হাৰোণৰ বাবে পবিত্ৰ বস্ত্ৰ যুগুত কৰিলে। ২ তেওঁ সোণ, আৰু নীল বৰণীয়া, বেঙেনা বৰণীয়া, আৰু ৰঙা বৰণীয়া সূতা আৰু পকোৱা মিহি শণ সূতাৰে এফোদ বস্ত্ৰখন যুগুত কৰিলে। ৩ তেওঁলোকে সোণ পিটি পতা কৰি, কাটি মিহি গুনা তৈয়াৰ কৰি নীল বৰণীয়া, বেঙেনা বৰণীয়া, আৰু ৰঙা বৰণীয়া মিহি শণ সূতাৰ কাপোৰত নিপুণ শিল্পকাৰ্য্যৰ দ্বাৰাই কাম কৰালে। ৪ তেওঁলোকে ওপৰৰ দুয়োফালে এফোদৰ কান্ধত লগাবলৈ স্কন্ধপটি যুগুত কৰিলে। ৫ এফোদৰ কঁকালত বান্ধিবৰ বাবে তাৰ লগত নিপুণৰূপে বোৱা কাপোৰৰ সোণোৱালী, আৰু নীলা, বেঙেনা আৰু ৰঙা বৰণীয়া সূতা আৰু পকোৱা মিহি শণ সূতাৰে টঙালি প্ৰস্তুত কৰিলে। যিহোৱাই মোচিক আজ্ঞা কৰাৰ দৰে তেওঁলোকে সেই সকলো কৰিলে। ৬ তেওঁলোকে মোহৰ কটাৰ দৰে কটা, ইস্ৰায়েলৰ বাৰজন পুত্ৰৰ নাম থকা, সোণত খটোৱাবলৈ গোমেদ পাথৰ যুগুত কৰিলে। ৭ সেয়ে ইস্ৰায়েলৰ পুত্ৰসকলৰ সোঁৱৰণীয় পাথৰ স্বৰূপে তাক এফোদৰ স্কন্ধপটিৰ ওপৰত লগালে। যিহোৱাই মোচিক আজ্ঞা দিয়াৰ দৰেই কৰিলে। ৮ এফোদ তৈয়াৰ কৰাৰ দৰে, তেওঁ সোণোৱালী, আৰু নীলা, বেঙেনা আৰু ৰঙা বৰণীয়া সূতা আৰু পকোৱা মিহি শণ সূতাৰে নিপুণ শিল্পকাৰ্যেৰে বুকুপটা যুগুত কৰিলে। ৯ এই বুকুপটা চাৰিচুকীয়া আছিল। তেওঁলোকে বুকুপটাটো দুতৰপ কৰিলে; সেয়ে দীঘে এবেগেত, বহলে এবেগেত আছিল। ১০ তেওঁলোকে তাত চাৰি শাৰী বহুমূলীয়া পাথৰ খুৱালে। প্ৰথম শাৰীত ৰুবী, পীতমণি, আৰু মৰকত; ১১ দ্বিতীয় শাৰীত পদ্মৰাগ, নীলকান্ত, আৰু হীৰা; ১২ তৃতীয় শাৰীত পেৰোজ, যিষ্ম, আৰু কটাহেলা; ১৩ আৰু চতুৰ্থ শাৰীত বৈদূৰ্য্য, গোমেদক আৰু সূৰ্যকান্ত আছিল; এই সকলো পাথৰ সোণত

খটোৰা হ'ল। ১৪ এই পাথৰ ইস্ৰায়েলৰ বাৰজন পুত্ৰৰ নাম অনুসাৰে,
একাদিক্ৰমে ডাঙৰৰ পৰা সৰুলৈকে লিখা হ'ল; মোহৰৎ খোদিত
কৰা দৰে প্ৰত্যেক পাথৰত বাৰ ফৈদৰ বাবে এজন এজন পুত্ৰৰ নাম
ক্ষুদিত কৰা হ'ল। ১৫ তেওঁলোকে ৰছীৰ দৰে পকোৱা মালাৰ নিচিনা
দুডাল শুদ্ধ সোণৰ শিকলি তৈয়াৰ কৰি, বুকুপটাত লগাই দিলে। ১৬
তেওঁলোকে সোণৰ দুটা আঙঠি তৈয়াৰ কৰি, বুকুপটাৰ দুই মূৰত
সেই আঙঠি দুটা লগালে। ১৭ মালাৰ দৰে গঁথা সোণৰ সেই শিকলি
দুডাল বুকুপটাৰ দুই মুৰত থকা আঙঠি দুটাত লগালে। ১৮ মালাৰ দৰে
গঁথা শিকলি দুডালৰ দুই মূৰ সোণৰ খাপ দুটাত লগালে, এফোদৰ
আগফালে স্কন্ধপটি দুটাৰ ওপৰত লগালে। ১৯ সোণৰ দুটা আঙঠি
গঢ়াই, বুকুপটাৰ দুই মূৰত এফোদৰ সন্মুখত থকা ভিতৰৰ দাঁতিত
লগালে। ২০ তাৰ পাছত আৰু দুটা আঙঠি গঢ়াই, এফোদৰ স্কন্ধপটি
দুটাৰ তল ভাগত তাৰ আগফালে, জোৰা দিয়া ঠাইৰ ওচৰত, এফোদৰ
নিপুণৰূপে বোৱা টঙালিৰ ওপৰত তাক লগালে। ২১ বুকুপটা এফোদৰ
নিপুণৰূপে বোৱা টঙালিৰ ওপৰত যেন থাকে, আৰু এফোদৰ পৰা যেন
এৰাই নাযায়, সেই বাবে তেওঁলোকে নীলা ফিতাৰে বুকুপটাক তাৰ
আঙঠিৰে সৈতে এফোদৰ আঙঠিত বান্ধিলে। যিহোৱাই মোচিক দিয়া
আজ্ঞা অনুসাৰে তেওঁলোকে সকলো কৰিলে। ২২ বচলেলে এফোদৰ
চোলা সিপিনীয়ে বোৱা, সম্পূৰ্ণ বেঙেনা বৰণীয়া কাপোৰেৰে তৈয়াৰ
কৰিলে। ২৩ সেই চোলাত মুৰ সুমুৱাবলৈ সোঁ মাজত খোলা আছিল।
সেয়ে নাফালিবৰ বাবে, ডিঙিৰ চাৰিওফালটো চিলোৱা হৈছিল। ২৪
তেওঁলোকে সেই চোলাৰ তল দাঁতিত, নীলা, বেঙেনা আৰু ৰঙা বৰণীয়া
সূতা, আৰু পকোৱা মিহি শণ সূতাৰে ডালিমৰ নক্সা তুলিলে। ২৫
তেওঁলোকে শুদ্ধ সোণৰ জুণুকা গঢ়াই, সেই জুণুকাবোৰ ডালিমৰ
মাজে মাজে চোলাৰ তলৰ দাঁতিৰ চাৰিওফালে লগাই দিলে। ২৬
পৰিচৰ্যা কৰোঁতে, পিন্ধিবলৈ চোলাৰ তল দাঁতিত এটা জুণুকা এটা
ডালিম, এটা জুণুকা এটা ডালিম এই দৰে চোলাৰ চাৰিওফালে লগাই
দিলে। যিহোৱাই মোচিক দিয়া আজ্ঞা অনুসাৰে তেওঁলোকে সকলো
কৰিলে। ২৭ তেওঁলোকে হাৰোণ আৰু তেওঁৰ পুত্ৰসকলৰ বাবে মিহি

শণ সূতাৰে কোট চোলা প্ৰস্তুত কৰিলে। ২৮ মিহি শণ সূতাৰ পাগুৰি,
পকোৱা মিহি শণ সূতাৰে কপালত বন্ধা কাপোৰ, মিহি শণ সূতাৰে
গুপ্তাঙ্গ ঢাকিবলৈ কাপোৰ প্ৰস্তুত কৰিলে। ২৯ পকোৱা মিহি শণ সূতা
আৰু নীলা, বেঙেনা, আৰু ৰঙা বৰণীয়া সূতাৰে, শিল্পকাৰে ফুল বছা
টঙালি যুগুত কৰিলে। ৩০ যিহোৱাই মোচিক আজ্ঞা দিয়াৰ দৰে,
তেওঁলোকে শুদ্ধ সোণৰ পবিত্ৰ মুকুট যুগুত কৰিলে, আৰু মোহৰত
খোদিতকৰাৰ দৰে তাৰ ওপৰত "যিহোৱাৰ উদ্দেশ্যে পবিত্ৰ", এই বচন
ক্ষুদিত কৰিলে। ৩১ তেওঁলোকে পাগুৰিৰ ওপৰত মুকুট বান্ধিবলৈ,
নীলা বৰণীয়া ফিতা লগালে। ৩২ এই দৰে সাক্ষাৎ কৰা তম্বুৰ আবাসৰ
সকলো কাৰ্য কৰি শেষ কৰিলে, যিহোৱাই মোচিক দিয়া আজ্ঞাৰ
দৰেই ইস্ৰায়েলৰ লোকসকলে সকলো কাৰ্য কৰিলে। ৩৩ তেওঁলোকে
মোচিৰ ওচৰলৈ সেই আবাস লৈ গ'ল; তম্বু, আৰু তাৰ সকলো সামগ্ৰী,
তাৰ হাঁকোটা, তক্তা, ডাং, খুঁটা, আৰু চুঙী। ৩৪ ৰঙা ৰং কৰা মেৰ-
ছাগৰ ছালৰ আৱৰণ, তহচ জন্তুৰ ছালৰ আৱৰণ, আৰু আঁৰ কৰি
ৰখা পৰ্দা, ৩৫ সাক্ষ্য-ফলিৰ নিয়ম চন্দুক, আৰু তাৰ কানমাৰি, আৰু
পাপাবৰণ। ৩৬ মেজ, তাৰ সকলো সঁজুলি, আৰু দৰ্শন-পিঠা; ৩৭
শুদ্ধ সোণৰ দীপাধাৰ আৰু শাৰী পাতি ৰখা প্ৰদীপবোৰ, তাৰ সকলো
সঁজুলি, আৰু প্ৰদীপৰ বাবে তেল; ৩৮ সোণৰ বেদি, অভিষেক কৰা
তেল, সুগন্ধি ধূপ, আৰু তম্বুৰ দুৱাৰৰ বাবে পৰ্দা। ৩৯ পিতলৰ বেদি
তাৰ লগৰ পিতলৰ জালি, তাৰ কানমাৰি, আৰু তাৰ সকলো সঁজুলি।
প্ৰক্ষালন-পাত্ৰ, আৰু তাৰ খুৰা। ৪০ চোতালৰ পৰ্দাবোৰ, তাৰ খুঁটা
আৰু চুঙী, আৰু চোতালৰ দুৱাৰৰ পৰ্দা, তাৰ ৰছী আৰু তম্বুৰ খুটি,
আৰু সাক্ষাৎ কৰা তম্বুৰ বাবে আবাসৰ কাৰ্যৰ সকলো সজুলি। ৪১
পবিত্ৰ-স্থানত পৰিচৰ্যা কৰিবলৈ নিপুণৰূপে প্ৰস্তুত কৰা মিহি বস্ত্ৰ, আৰু
পুৰোহিত কৰ্ম কৰিবলৈ হাৰোণ পুৰোহিতৰ পবিত্ৰ বস্ত্ৰ, আৰু তেওঁৰ
পুত্ৰসকলৰ বস্ত্ৰ। ৪২ যি যি কৰ্ম কৰিবলৈ যিহোৱাই মোচিক আজ্ঞা
কৰিছিল, সেই সকলোকে ইস্ৰায়েলৰ লোকসকলে কৰিলে। ৪৩ তাৰ
পাছত মোচিয়ে সেই সকলো কাম চোৱা চিতা কৰি সেই কাম সম্পূৰ্ন

হোৱা দেখিলে। যিহোৱাৰ আজ্ঞা অনুসাৰেই সকলোকে কৰিলে; সেয়ে
মোচিয়ে তেওঁলোকক আশীৰ্ব্বাদ কৰিলে।

৪০ তাৰ পাছত যিহোৱাই মোচিক কলে, ২ "তুমি নতুন বছৰৰ প্ৰথম
মাহৰ প্ৰথম দিনা সাক্ষাৎ কৰা তম্বুৰ আবাস স্থাপন কৰিবা। ৩ তুমি
তাৰ ভিতৰত সাক্ষ্য-ফলিৰ নিয়ম চন্দুক ৰাখি পৰ্দাৰে সেই চন্দুক
আঁৰ কৰি ৰাখিবা। ৪ মেজ ভিতৰলৈ আনি তাক সজাই ৰাখিবা; আৰু
দীপাধাৰ ভিতৰলৈ আনি, তাৰ ওপৰত প্ৰদীপবোৰ জ্বলাই দিবা।
৫ ধূপ জ্বলাবৰ বাবে সোণৰ বেদিটো সাক্ষ্য-ফলিৰ নিয়ম চন্দুকৰ
আগত ৰাখিবা, আৰু আবাসৰ দুৱাৰত পৰ্দাবোৰ লগাই দিবা। ৬
সাক্ষাৎ কৰা তম্বুৰ আবাসৰ দুৱাৰৰ সন্মুখত হোমবেদি ৰাখিবা। ৭
সাক্ষাৎ কৰা তম্বু আৰু হোম-বেদিৰ মাজত প্ৰক্ষালন-পাত্ৰ থৈ, তাত
পানী ভৰাবা। ৮ চাৰিওফালে চোতাল যুগুত কৰিবা, আৰু চোতালৰ
দুৱাৰত পৰ্দাবোৰ লগাবা। ৯ তুমি অভিষেক কৰা তেল লৈ, আবাস
আৰু তাৰ সকলোকে অভিষেক কৰি, তাক আৰু তাৰ সকলো বস্তু
পবিত্ৰ কৰিবা; তাতে সেয়ে পবিত্ৰ হ'ব। ১০ তুমি হোম-বেদিটো
আৰু তাৰ সকলো সঁজুলি অভিষেক কৰি, সেই বেদি পবিত্ৰ কৰিবা;
তাতে সেই বেদি অতি পবিত্ৰ হ'ব। ১১ তুমি প্ৰক্ষালন পাত্ৰ আৰু তাৰ
খুৰা অভিষেক কৰি তাক পবিত্ৰ কৰিবা। ১২ তুমি হাৰোণক আৰু
তেওঁৰ পুত্ৰসকলক সাক্ষাৎ কৰা তম্বুৰ দুৱাৰ মুখলৈ আনি, তেওঁলোকক
পানীৰে গা ধুৱাবা। ১৩ হাৰোণক পবিত্ৰ বস্ত্ৰ পিন্ধাই, মোৰ অৰ্থে
পুৰোহিত কৰ্ম কৰিবলৈ তেওঁক অভিষেক কৰি পবিত্ৰ কৰিবা। ১৪
তেওঁৰ পুত্ৰসকলকো আনি, কোট চোলা পিন্ধাবা। ১৫ তেওঁলোকৰ
পিতৃক যেনেকৈ অভিষেক কৰিবা, তেনেকৈ, তেওঁলোকেও মোৰ অৰ্থে
পুৰোহিত কৰ্ম কৰিবলৈ পুত্ৰসকলক অভিষেক কৰিব। তাতে সেই
অভিষেকেই তেওঁলোকৰ পুৰুষানুক্ৰমে চিৰস্থায়ী পুৰোহিত পদৰ চিন
হ'ব।" ১৬ মোচিয়ে সেইদৰেই কৰিলে; যিহোৱাই আজ্ঞা দিয়াৰ দৰেই
তেওঁ সকলোকে কৰিলে। ১৭ পাছে দ্বিতীয় বছৰৰ প্ৰথম মাহৰ প্ৰথম
দিনা আবাস স্থাপন কৰা হ'ল। ১৮ যিহোৱাই মোচিক আজ্ঞা দিয়াৰ
দৰে, তেওঁ আবাস স্থাপন কৰিবলৈ, তাৰ চুঙী বহুৱাই, তক্তা খুৱাই ডাং

সুমুৱাই, আৰু তাৰ খুটাবোৰ তুলি, ১৯ সেই আবাসৰ ওপৰত তম্বু
তৰিলে, আৰু তাৰ ওপৰত তম্বুৰ আৱৰণ লগালে। ২০ পাছে যিহোৱাই
মোচিক আজ্ঞা দিয়াৰ দৰে, তেওঁ সাক্ষ-ফলি দুখন লৈ নিয়ম চন্দুকটোৰ
ভিতৰত ভৰাই, চন্দুকত কানমাৰি লগাই, নিয়ম চন্দুকৰ ওপৰত
পাপাবৰণ থৈ, ২১ আৰু আবাসৰ ভিতৰলৈ নিয়ম চন্দুকটো আনি,
আঁৰ কৰি ৰখা পৰ্দা লগাই, সাক্ষ-ফলিৰ নিয়ম চন্দুক ঢাকিলে। ২২
যিহোৱাই মোচিক আজ্ঞা দিয়াৰ দৰে, তেওঁ আবাসৰ উত্তৰফালে পৰ্দাৰ
বাহিৰত সাক্ষাৎ কৰা তম্বুত মেজ ৰাখিলে, ২৩ তাৰ ওপৰত যিহোৱাৰ
সন্মুখত পিঠা সজাই থলে। ২৪ পাছে যিহোৱাই মোচিক আজ্ঞা দিয়াৰ
দৰে, তেওঁ সাক্ষাৎ কৰা তম্বুত মেজৰ সন্মুখত আবাসৰ দক্ষিণফালে
দীপাধাৰ ৰাখিলে। ২৫ যিহোৱাৰ সন্মুখত প্ৰদীপবোৰ জ্বলাই দিলে।
২৬ পাছে যিহোৱাই মোচিক আজ্ঞা দিয়াৰ দৰে, তেওঁ সাক্ষাৎ কৰা
তম্বুৰ পৰ্দাৰ আগত সোণৰ বেদি ৰাখিলে। ২৭ তাৰ ওপৰত সুগন্ধি
ধূপ জ্বলালে। ২৮ পাছে যিহোৱাই মোচিক আজ্ঞা দিয়াৰ দৰে, তেওঁ
আবাসৰ দুৱাৰৰ পৰ্দা লগালে, ২৯ আৰু সাক্ষাৎ কৰা তম্বুত আবাসৰ
দুৱাৰৰ মুখত হোম-বেদি ৰাখি তাৰ ওপৰত হোমবলি আৰু ভক্ষ্য
নৈবেদ্য উৎসৰ্গ কৰিলে। ৩০ পাছে যিহোৱাই মোচিক দিয়া আজ্ঞাৰ
দৰে, তেওঁ সাক্ষাৎ কৰা তম্বুৰ আৰু হোম-বেদিৰ মাজত, প্ৰক্ষালন-পাত্ৰ
ৰাখি ধুবলৈ তাত পানী ভৰাই থলে। ৩১ তাৰ পৰাই মোচি, হাৰোণ,
আৰু তেওঁৰ পুত্ৰসকলে নিজৰ নিজৰ হাত ভৰি ধোৱে। ৩২ যেতিয়া
তেওঁলোকে সাক্ষাৎ কৰা তম্বুত সোমায়, বা বেদিৰ ওচৰলৈ আহে,
তেতিয়া ধোৱে। ৩৩ পাছে তেওঁ আবাসৰ আৰু হোমবেদিৰ চাৰিওফালে
চোতাল যুগুত কৰিলে; আৰু চোতালৰ দুৱাৰত পৰ্দা লগালে। এইদৰে
মোচিয়ে কাৰ্য সমাপ্ত কৰিলে। ৩৪ তাৰ পাছত মেঘে সাক্ষাৎ কৰা
তম্বুটো ঢাকি ধৰিলে, আৰু যিহোৱাৰ প্ৰতাপে আবাস পৰিপূৰ্ণ কৰিলে।
৩৫ মোচিয়ে সাক্ষাৎ কৰা তম্বুত সোমাব নোৱাৰিলে; কিয়নো মেঘ তাৰ
ওপৰত আছিল, আৰু যিহোৱাৰ প্ৰতাপে আবাস পৰিপূৰ্ণ কৰিছিল।
৩৬ পাছে আবাসৰ ওপৰৰ পৰা মেঘ উঠিলে, ইস্ৰায়েলৰ লোকসকলে
তেওঁলোকৰ যাত্ৰা আৰম্ভ কৰে। ৩৭ কিন্তু আবাসৰ ওপৰৰ পৰা যদি

মেঘ আঁতৰি নাযায়, তেতিয়ালৈকে তেওঁলোকে যাত্ৰা নকৰে। ৩৮
কিয়নো গোটেই ইস্ৰায়েল বংশৰ চকুৰ আগত, তেওঁলোকৰ আটাই
যাত্ৰাত, দিনত যিহোৱাৰ মেঘ আবাসৰ ওপৰত আছিল, আৰু ৰাতি
অগ্নি আবাসৰ ভিতৰত আছিল।

# লেবীয় পুস্তক

১ যিহোৱাই মোচিক মাতিলে, আৰু সাক্ষাৎ কৰা তম্বুৰ পৰা তেওঁ
এই কথা ক'লে, ২ "তুমি ইস্রায়েলৰ সন্তানসকলক এই কথা কোৱা,
'তোমালোকৰ মাজৰ কোনোৱে যদি যিহোৱাৰ উদ্দেশ্যে উপহাৰ
উৎসৰ্গ কৰে, তেন্তে সেয়ে ষাঁড়-গৰু আৰু মেৰ বা মেৰ-ছাগ হ'ব লাগিব।
৩ যদি তেওঁৰ উপহাৰ ষাঁড়-গৰুৰ জাকৰ পৰা অনা হোম বলি হয়,
তেন্তে নিৰ্ঘূণী মতা গৰু উৎসৰ্গ কৰিব লাগিব। যিহোৱাৰ আগত গ্ৰাহ্য
হ'বৰ কাৰণে, সাক্ষাৎ কৰা তম্বুৰ দুৱাৰ মুখত ইয়াক উৎসৰ্গ কৰিব
লাগিব। ৪ পাছত তেওঁ হোম-বলিৰ মূৰত হাত দিব; তেতিয়া সেই
বলি তেওঁৰ প্ৰায়শ্চিত্তৰ অৰ্থে তেওঁৰ পক্ষত গ্ৰাহ্য হ'ব। ৫ আৰু তেওঁ
যিহোৱাৰ সন্মুখত সেই দমৰা ষাঁড়-গৰুটো কাটিব। তেতিয়া হাৰোণৰ
পুত্ৰ পুৰোহিত সকলে তাৰ তেজ আনিব, আৰু সাক্ষাৎ কৰা তম্বুৰ
দুৱাৰৰ সন্মুখত থকা যজ্ঞবেদীৰ চাৰিওফালে সেই তেজ ছটিয়াই দিব।
৬ তেতিয়া সেই বলিৰ ছাল বখলিয়াই তাক খণ্ড খণ্ড কৰা হ'ব। ৭ আৰু
হাৰোণ পুৰোহিতৰ পুত্ৰসকলে বেদীৰ ওপৰত জুই ৰাখিব আৰু জুইৰ
ওপৰত কাঠ জাপি দিব। ৮ আৰু হাৰোণৰ পুত্ৰ পুৰোহিতসকলে সেই
বেদীৰ ওপৰত থকা জুই আৰু কাঠৰ ওপৰত সেই খণ্ডবোৰ, মূৰ আৰু
তেল ঠিক মতে ৰাখিব। ৯ কিন্তু তেওঁ তাৰ নাড়ী-ভুৰু আৰু ঠেং পানীত
ধুব লাগিব। তেতিয়া পুৰোহিতে বেদীৰ ওপৰত সেই সকলোকে দগ্ধ
কৰিব। সেয়ে হোম-বলি, যিহোৱাৰ উদ্দেশ্যে সুঘ্ৰাণ দিয়া অগ্নিকৃত
উপহাৰ হ'ব। ১০ আৰু যদি তেওঁৰ উপহাৰ মেৰ-ছাগ বা ছাগলীৰ
জাকৰ পৰা অনা হোম-বলি হয়, তেন্তে তেওঁ নিৰ্ঘূণী মতা পশু উৎসৰ্গ
কৰিব। ১১ আৰু যজ্ঞবেদীৰ কাষত উত্তৰফালে যিহোৱাৰ সন্মুখত তাক
কটা হ'ব; তেতিয়া হাৰোণৰ পুত্ৰ পুৰোহিত সকলে বেদীৰ চাৰিওফালে
তাৰ তেজ ছটিয়াব। ১২ পাছত তেওঁ তাক খণ্ড খণ্ড কৰি কাটিব; আৰু
পুৰোহিতে তাৰ মূৰ আৰু তেলেৰে সৈতে তাক বেদীৰ ওপৰত থকা
জুই আৰু কাঠৰ ওপৰত ঠিকমতে সজাই ৰাখিব। ১৩ কিন্তু তাৰ নাড়ী-
ভুৰু আৰু ঠেং পানীৰে ধুব লাগিব; তাৰ পাছত পুৰোহিতে সেই সকলো
উৎসৰ্গ কৰিব আৰু বেদীৰ ওপৰত দগ্ধ কৰিব; সেয়ে হোম-বলি,

যিহোৱাৰ উদ্দেশ্যে সুঘ্ৰাণ দিয়া অগ্নিকৃত উপহাৰ। ১৪ যদি যিহোৱাৰ
উদ্দেশ্যে দিয়া তেওঁৰ উপহাৰ পক্ষীবোৰৰ মাজৰ পৰা অনা হোম-
বলি হয়, তেন্তে তেওঁ কপৌবোৰৰ বা পাৰ পোৱালিবোৰৰ মাজৰ
পৰা নিজ উপহাৰ উৎসৰ্গ কৰিব। ১৫ পাছত পুৰোহিতে তাক বেদীৰ
ওপৰলৈ আনি, মূৰটো মুচৰি চিঙি, তাক বেদীত দগ্ধ কৰিব; আৰু তাৰ
তেজ বেদীৰ কাষেৰে উলিয়াই দিব লাগিব। ১৬ পাছত পুৰোহিতে
তাৰ নাড়ী-ভুৰু আৰু আমঠুটো লৈ, বেদীৰ কাষত থকা পূবফালৰ ছাঁই
পেলোৱা ঠাইত পেলাই দিব লাগিব। ১৭ তাৰ পাছত পুৰোহিতে তাৰ
ডেউকা দুখন কাটিব, কিন্তু সম্পূৰ্ণৰূপে তাক দুভাগ নকৰিব, আৰু
বেদীত জুই আৰু কাঠৰ ওপৰত তাক দগ্ধ কৰিব; সেয়ে হোম-বলি,
যিহোৱাৰ উদ্দেশ্যে সুঘ্ৰাণ দিয়া অগ্নিকৃত উপহাৰ।

২ যেতিয়া কোনো লোক এজনে যিহোৱাৰ উদ্দেশ্যে ভক্ষ্য নৈবেদ্য
উৎসৰ্গ কৰে, তেতিয়া তেওঁৰ উপহাৰ মিহি আটাগুড়ি হ'ব; আৰু
তেওঁ তাত তেল ঢালি তাৰ ওপৰত ধূপ-ধূনা দিব। ২ তেতিয়া তেওঁৰ
সেই উপহাৰ তেওঁ হাৰোণৰ পুত্ৰ পুৰোহিত সকলৰ ওচৰলৈ আনিব;
পাছত পুৰোহিতসকলৰ এজনে তাৰ পৰা এমুঠি মিহি আটাগুড়ি, এচলু
তেল, আৰু আটাইখিনি ধূপ-ধূনা লৈ, তাৰ স্মৰণাৰ্থক অংশ বুলি তাক
বেদীৰ ওপৰত দগ্ধ কৰিব; সেয়ে যিহোৱাৰ উদ্দেশ্যে সুঘ্ৰাণ দিয়া
অগ্নিকৃত উপহাৰ। ৩ সেই ভক্ষ্য নৈবেদ্যৰ বাকীখিনি হাৰোণ আৰু
তেওঁৰ পুত্ৰসকলৰ কাৰণে হ'ব; যিহোৱাৰ অগ্নিকৃত উপহাৰবোৰৰ
মাজত সেয়ে অতি পবিত্ৰ। ৪ যেতিয়া তুমি তন্দুৰত তাও দিয়া ভক্ষ্য
নৈবেদ্য উপহাৰস্বৰূপে উৎসৰ্গ কৰিবা, তেতিয়া তেল মিহলোৱা মিহি
আটাগুড়িৰে কৰা খমিৰ নিদিয়া বিন্ধা থকা কেইটামান পিঠা, বা তেল
ঢলা খমিৰ নিদিয়া কেইটামান পাতল চকলীয়া পিঠা দিব লাগিব। ৫
আৰু যদি তাৱাত তাও দিয়া ভক্ষ্য নৈবেদ্য তোমাৰ উপহাৰ হয়, তেন্তে
খমীৰ নিদিয়া তেল মিহলোৱা মিহি আটাগুড়িৰে কৰা পিঠা হ'ব। ৬
তুমি তাক ডোখৰ-ডোখৰ কৰি, তাৰ ওপৰত তেল ঢালিবা; সেয়ে ভক্ষ্য
নৈবেদ্য। ৭ আৰু যদি কেৰাহীত ভজা ভক্ষ্য নৈবেদ্য তোমাৰ উপহাৰ
হয়, তেন্তে তেলত ভাজি মিহি আটাগুড়িৰে কৰিব লাগিব। ৮ এইবোৰ

নিয়মৰ কোনো নিয়মৰে যুগুত কৰা ভক্ষ্য নৈবেদ্য তুমি যিহোৱাৰ
উদ্দেশ্যে আনিবা; আৰু তাক পুৰোহিতক দিয়া হব। তেতিয়া তেওঁ তাক
বেদীৰ ওচৰলৈ আনিব। ৯ পুৰোহিত জনে সেই নৈবেদ্যৰ স্মৰণাৰ্থক
অংশ লৈ বেদীত দগ্ধ কৰিব; সেয়ে যিহোৱাৰ উদ্দেশ্যে সুঘ্ৰাণ দিয়া
অগ্নিকৃত উপহাৰ। ১০ আৰু সেই নৈবেদ্যৰ বাকীখিনি হাৰোণ আৰু
তেওঁৰ পুত্ৰসকলৰ হ'ব; যিহোৱাৰ অগ্নিকৃত উপহাৰবোৰৰ মাজত
সেয়ে অতি পবিত্ৰ। ১১ তোমালোকে যিহোৱাৰ উদ্দেশ্যে যি কোনো
ভক্ষ্য নৈবেদ্য উৎসৰ্গ কৰিবা, তাক খমীৰেৰে যুগুত কৰা হ'ব নালাগে;
কিয়নো খমীৰ বা মৌ ইয়াৰে একোকে যিহোৱাৰ উদ্দেশ্যে অগ্নিকৃত
উপহাৰ স্বৰূপে তোমালোকে দগ্ধ নকৰিবা। ১২ তোমালোকে প্ৰথম
ফলৰ উপহাৰ বুলি তাক যিহোৱাৰ উদ্দেশ্যে উৎসৰ্গ কৰিব পাৰা; কিন্তু
সুঘ্ৰাণৰ অৰ্থে বেদীৰ ওপৰত তাক তোলা নাযাব। ১৩ আৰু তুমি নিজ
ভক্ষ্য নৈবেদ্যৰ প্ৰত্যেক উপহাৰত লোণ সানিবা; তুমি নিজ ভক্ষ্য
নৈবেদ্যত, নিজ ঈশ্বৰৰ নিয়মটিৰ চিন যি লোণ, তাক দিবলৈ ত্ৰুটি
নকৰিবা; তোমাৰ সকলো উপহাৰবোৰ লোণে সৈতে উৎসৰ্গ কৰিবা।
১৪ তুমি যদি যিহোৱাৰ উদ্দেশ্যে শস্যৰ প্ৰথম ফলৰ নৈবেদ্য স্বৰূপে
জুইত পোৰা থোক, অৰ্থাৎ মোহাৰি উলিওৱা শস্যৰ নতুন গুটি উৎসৰ্গ
কৰিবা। ১৫ তাৰ পাছত তুমি তাৰ ওপৰত তেল আৰু ধূপ-ধূনা দিবা;
সেয়ে ভক্ষ্য নৈবেদ্য। ১৬ পাছত পুৰোহিতে তাৰ স্মৰণাৰ্থক অংশ বুলি
কিছু মোহৰা শস্য, কিছু তেল আৰু আটাইখিনি ধূপ-ধূনা দগ্ধ কৰিব;
সেয়ে যিহোৱাৰ উদ্দেশ্যে অগ্নিতকৃত উপহাৰ।

৩ যদি কোনো এজন লোকৰ উপহাৰ মঙ্গলাৰ্থক বলি হয়, তেন্তে
পশুৰ জাকৰ মতা বা মাইকীয়েই হওঁক, তাক উৎসৰ্গ কৰিলে, তেওঁ
যিহোৱাৰ সন্মুখত এটা নিৰ্ঘূণী পশু উৎসৰ্গ কৰিব। ২ তেওঁ নিজ
উপহাৰৰ মূৰত হাত দিব আৰু সাক্ষাৎ কৰা তম্বুৰ দুৱাৰমুখত তাক
কাটিব; তেতিয়া হাৰোণৰ পুত্ৰ পুৰোহিত সকলে তাৰ তেজ বেদীৰ
কাষৰ চাৰিওফালে ছটিয়াই দিব। ৩ সেই লোক জনে তেওঁৰ সেই
মঙ্গলাৰ্থক বলিৰ পৰা যিহোৱাৰ উদ্দেশ্যে অগ্নিকৃত উপহাৰ স্বৰূপে তাৰ
নাড়ি-ভুৰু ঢকা তেল, ৪ নাড়ীত লাগি থকা আটাই তেল, ঘিলা দুটা

আৰু কলিজাৰ ওচৰত থকা তেলীয়া ভাগ উৎসৰ্গ কৰিব; সেই ভাগ
ঘিলালৈকে এৰুৱাই ল’ব। ৫ তেতিয়া হাৰোণৰ পুত্ৰসকলে বেদীত,
জুই, কাঠ আৰু হোমৰ ওপৰত তাক দগ্ধ কৰিব; সেয়ে যিহোৱাৰ
উদ্দেশ্যে সুঘ্ৰাণ দিয়া অগ্নিকৃত উপহাৰ। ৬ আৰু যদি তেওঁ যিহোৱাৰ
উদ্দেশ্যে মঙ্গলাৰ্থক বলিৰ উপহাৰ মেৰ-ছাগ বা ছাগলীৰ জাকৰ পৰা
দিয়ে, তেন্তে তেওঁ নিঘূণ মতা বা মাইকী পশু উৎসৰ্গ কৰিব। ৭ নিজ
উপহাৰৰ অৰ্থে যদি তেওঁ মেৰ-ছাগ পোৱালি উৎসৰ্গ কৰে, তেন্তে
তেওঁ তাক যিহোৱাৰ সন্মুখত উৎসৰ্গ কৰিব। ৮ তেওঁ নিজ উপহাৰৰ
মূৰত হাত দিব আৰু সাক্ষাৎ কৰা তম্বুৰ সন্মুখত তাক কাটিব; তেতিয়া
হাৰোণৰ পুত্ৰসকলে বেদীৰ কাষৰ চাৰিওফালে তাৰ তেজ ছটিয়াই
দিব। ৯ পাছত তেওঁ সেই মঙ্গলাৰ্থক বলিৰ পৰা যিহোৱাৰ উদ্দেশ্যে
অগ্নিকৃত উপহাৰ স্বৰূপে তাৰ তেল, গোটেইডাল নেগুৰ, নাড়ী-ভুৰু
ঢকা তেল আৰু নাড়ীত লাগি থকা আটাই তেল, ১০ ঘিলা দুটা আৰু
কিনাৰত লাগি থকা তাৰ ওপৰৰ তেল আৰু কলিজাৰ ওচৰত থকা তাৰ
তেলীয়া ভাগ উৎসৰ্গ কৰিব; তেওঁ এই ভাগবোৰ ঘিলালৈকে এৰুৱাই
ল’ব। ১১ তেতিয়া পুৰোহিতে তাক বেদীত দগ্ধ কৰিব। সেয়ে যিহোৱাৰ
উদ্দেশ্যে দিয়া অগ্নিকৃত উপহাৰ স্বৰূপ ভক্ষ্য নৈবেদ্য। ১২ আৰু যদি
তেওঁৰ উপহাৰ ছাগলী হয়, তেন্তে তেওঁ তাক যিহোৱাৰ সন্মুখত দান
কৰিব। ১৩ তেওঁ সেই ছাগলীৰ মূৰত হাত দিব আৰু সাক্ষাৎ কৰা
তম্বুৰ সন্মুখত তাক কাটিব; তেতিয়া হাৰোণৰ পুত্ৰসকলে বেদীৰ কাষৰ
চাৰিওফালে তাৰ তেজ ছটিয়াই দিব। ১৪ পাছত তেওঁ তাৰ পৰা নিজৰ
নৈবেদ্য, অৰ্থাৎ যিহোৱাৰ উদ্দেশ্যে অগ্নিকৃত উপহাৰ স্বৰূপে নাড়ী-
ভুৰু ঢকা তেল, নাড়ীত লাগি থকা আটাই তেল এৰুৱাব। ১৫ তেওঁ
তাৰ ভিতৰৰ ঘিলা দুটা আৰু কিনাৰত লাগি থকা তাৰ ওপৰৰ তেল
আৰু কলিজাৰ ওচৰত থকা তেলীয়া ভাগ ঘিলালৈকে এৰুৱাই ল’ব।
১৬ তেতিয়া পুৰোহিতে বেদীৰ ওপৰত সেই সকলোকে দগ্ধ কৰিব;
সেয়ে সুঘ্ৰাণ দিয়া অগ্নিকৃত উপহাৰ স্বৰূপ ভক্ষ্য দ্ৰব্য; সকলো তেল
যিহোৱাৰ উদ্দেশ্যে হ’ব। ১৭ তোমালোকে তেল আৰু তেজ যে খাব

নালাগে, এয়ে তোমালোকৰ পুৰুষানুক্ৰমে, তোমালোকে বাস কৰা
সকলো ঠাইতে পালন কৰিবলগীয়া চিৰস্থায়ী বিধি'।"

**4** পাছত যিহোৱাই মোচিক ক'লে, ২ "তুমি ইস্ৰায়েলৰ সন্তানসকলক
কোৱা, 'যেতিয়া কোনো এজন লোকে, যিহোৱাই নিষেধ কৰা কোনো
কৰ্ম কৰি, নজনাকৈ পাপ কৰে, তেতিয়া তেওঁ এই ধৰণে কৰিব
লাগিব; ৩ তেতিয়া লোকসকলক দোষত পেলোৱাকৈ পাপ কৰা জন
যদি অভিষিক্ত পুৰোহিত হয়, তেন্তে তেওঁ নিজে কৰা পাপৰ কাৰণে,
যিহোৱাৰ উদ্দেশ্যে এটা নিঘূণ দমৰা ষাঁড়-গৰু পাপাৰ্থক বলি স্বৰূপে
উৎসৰ্গ কৰিব। ৪ তেওঁ সেই দমৰা ষাঁড়-গৰুটো সাক্ষাৎ কৰা তম্বুৰ
দুৱাৰ মুখেৰে যিহোৱাৰ আগলৈ আনিব আৰু ষাঁড়-গৰুটোৰ মূৰত
হাত দি, যিহোৱাৰ সন্মুখত তাক কাটিব। ৫ তেতিয়া সেই অভিষিক্ত
পুৰোহিত জনে দমৰা ষাঁড়-গৰুটোৰ অলপ তেজ সাক্ষাৎ কৰা তম্বুৰ
ভিতৰলৈ আনিব। ৬ আৰু পুৰোহিত জনে সেই তেজত নিজৰ আঙুলি
জুবুৰিয়াই পবিত্ৰ স্থানৰ প্ৰভেদক বস্ত্ৰৰ আগফালে যিহোৱাৰ সন্মুখত
সাতবাৰ তাৰ কিছু তেজ ছটিয়াই দিব। ৭ পুৰোহিত জনে তাৰে কিছু
তেজ লৈ, সাক্ষাৎ কৰা তম্বুৰ ভিতৰত যিহোৱাৰ সন্মুখত থকা সুগন্ধি
ধূপৰ বেদীৰ শিঙত লগাব; তেওঁ ভতৰা গৰুটোৰ বাকী তেজখিনি
সাক্ষাৎ কৰা তম্বুৰ দুৱাৰমুখত থকা হোম-বেদিৰ মূলত ঢালি দিব। ৮
আৰু পাপাৰ্থক বলি স্বৰূপে উৎসৰ্গ কৰা ষাঁড়-গৰুটোৰ আটাইবোৰ তেল
এৰুৱাই ল'ব; তাৰ নাড়ী-ভুৰু ঢকা তেল, নাড়ীত লাগি থকা আটাই
তেল, ৯ ঘিলা দুটা আৰু কিনাৰত লাগি থকা তাৰ ওপৰৰ তেল আৰু
কলিজাৰ ওচৰত থকা তেলীয়া ভাগ - তেওঁ এই সকলো এৰুৱাই
ল'ব। ১০ মঙ্গলাৰ্থক বলি স্বৰূপে উৎসৰ্গ কৰা ষাঁড়-গৰুটোৰ তেল
যেনেকৈ এৰুৱাই লয়, তেনেকৈ এইটোৰো এৰুৱাই ল'ব। তেতিয়া
পুৰোহিতে সেই সকলো হোমবেদিৰ ওপৰত দগ্ধ কৰিব। ১১ পাছত
সেই ষাঁড়-গৰুটোৰ ছাল আৰু অৱশিষ্ট মঙহ, মূৰ আৰু ঠেং, নাড়ী-ভুৰু
আৰু গোবৰৰ সৈতে, ১২ ষাঁড়-গৰুটোৰ বৈ যোৱা সকলো অৱশিষ্ট
অংশ ছাউনিৰ বাহিৰত মোৰ কাৰণে, সেই শুচি কৰা ছাঁই পেলোৱা
ঠাইলৈ লৈ আনিব; আনিব; আৰু সেইবোৰ কাঠৰ ওপৰত তুলি জুইত

জ্বলাই ভস্ম কৰিব লাগিব, আৰু সেইবোৰ ছাঁই পেলাই দিয়া ঠাইতহে
পুৰি ভস্ম কৰিব লাগিব। ১৩ ইস্ৰায়েলী লোকসকলে যদি নজনাকৈ
পাপ কৰে আৰু যিহোৱাই নিষেধ কৰা কোনো কৰ্ম কৰাৰ বিষয়ে
যদি সমাজে নেদেখাকৈ থাকে, আৰু তেওঁলোক যদি দোষী হয়, ১৪
আৰু ইস্ৰায়েলী লোকসকলে কৰা সেই পাপ যেতিয়া প্ৰকাশ পাব,
তেতিয়া তেওঁলোকে পাপাৰ্থক বলি স্বৰূপে এটা দমৰা ষাঁড়-গৰু উৎসৰ্গ
কৰিব আৰু তেওঁলোকে তাক সাক্ষাৎ কৰা তম্বুৰ সন্মুখলৈ আনিব।
১৫ তেতিয়া সমাজৰ পৰিচাৰকসকলে যিহোৱাৰ সন্মুখত সেই ষাঁড়-
গৰুটোৰ মূৰত হাত দিব আৰু তেওঁলোকৰ এজনে যিহোৱাৰ সন্মুখত
তাক কাটিব। ১৬ তেতিয়া অভিষিক্ত পুৰোহিত জনে ষাঁড়-গৰুটোৰ
কিছু তেজ লৈ সাক্ষাৎ কৰা তম্বুৰ ভিতৰলৈ আনিব; ১৭ আৰু পুৰোহিত
জনে সেই তেজত নিজ আঙুলি জুবুৰিয়াই, তাৰ কিছু তেজ প্ৰভেদক
বস্ত্ৰৰ আগফালে যিহোৱাৰ সন্মুখত সাতবাৰ ছটিয়াব। ১৮ তেওঁ সেই
তেজৰ পৰা কিছু তেজ লৈ, সাক্ষাৎ কৰা তম্বুৰ ভিতৰত যিহোৱাৰ
সন্মুখত থকা বেদীৰ শিঙত লগাব, আৰু অৱশিষ্ট থকা তেজখিনি
তেওঁ সাক্ষাৎ কৰা তম্বুৰ দুৱাৰ মুখত থকা হোমবেদিৰ মূলত ঢালি
দিব। ১৯ তেওঁ সেই বলিৰ পৰা তাৰ আটাইবোৰ তেল এৰুৱাই ল'ব
আৰু বেদীৰ ওপৰত তাক দগ্ধ কৰিব। ২০ তেওঁ সেই দমৰা ষাঁড়-
গৰুটোকো এইদৰে কৰিব। পাপাৰ্থক বলি স্বৰূপে উৎসৰ্গ কৰা গৰুটো
যেনেকৈ কৰে, তেনেকৈ ষাঁড়-গৰুটোকো কৰিব। এইদৰে পুৰোহিত
জনে লোকসকলক প্ৰায়শ্চিত্ত কৰিব আৰু তেতিয়া তেওঁলোকৰ পাপ
ক্ষমা হ'ব। ২১ তেওঁ সেই ষাঁড়-গৰুটো চাউনিৰ বাহিৰলৈ নি প্ৰথম
গৰুটোৰ নিচিনাকৈ তাকো পুৰি ভস্ম কৰিব লাগিব; এয়েই সমাজৰ
পাপাৰ্থক বলি। ২২ যেতিয়া কোনো শাসনকৰ্ত্তাই নাজানি পাপ কৰে,
নিজ ঈশ্বৰ যিহোৱাই নিষেধ কৰা কৰ্মবোৰৰ কোনো এটা কৰে, আৰু
তেওঁ যদি দোষী হয়, ২৩ পাছত নিজে কৰা সেই পাপৰ বিষয়ে তেওঁ
যেতিয়া জ্ঞাত হ'ব, তেতিয়া তেওঁ নিজ উপহাৰ স্বৰূপে এটা নিৰ্ঘূণী
মতা ছাগলী আনিব। ২৪ তেওঁ সেই ছাগলীটোৰ মূৰত হাত দিব আৰু
হোম-বলি কটা ঠাইত যিহোৱাৰ সাক্ষাতে তাক কাটিব; সেয়ে পাপাৰ্থক

বলি। ২৫ তেতিয়া পুৰোহিতে নিজ আঙুলিৰে সেই পাপাৰ্থক বলিৰ
অলপ তেজ লৈ, হোমবেদীৰ শিঙত লগাব; আৰু অৱশিষ্ট তেজ খিনি
হোমবেদিৰ মূলত ঢালি দিব। ২৬ তেওঁ মঙ্গলাৰ্থক বলিৰ তেলৰ দৰে
তাৰ আটাই তেল বেদীত দগ্ধ কৰিব। এইদৰে পুৰোহিতে শাসনকৰ্তা
জনৰ পাপ-মোচনৰ অৰ্থে প্ৰায়শ্চিত্ত কৰিব আৰু তেতিয়া তেওঁৰ পাপৰ
ক্ষমা হ'ব। ২৭ আৰু সাধাৰণ লোকসকলৰ মাজৰ যদি কোনোৱে
নজনাকৈ পাপ কৰে; যিহোৱাই নিষেধ কৰা কোনো কৰ্ম কৰে, আৰু
সেই পাপত যদি তেওঁ দোষী হয়, ২৮ তেন্তে নিজে কৰা পাপ যেতিয়া
তেওঁৰ জ্ঞাত হ'ব, তেতিয়া নিজে কৰা সেই পাপৰ কাৰণে নিজ উপহাৰ
স্বৰূপে তেওঁ জাকৰ মাজৰ পৰা এজনী নিৰ্ঘূণী ছাগলী আনিব। ২৯
তেওঁ সেই পাপাৰ্থক বলিৰ মূৰত হাত দিব আৰু হোম-বলি কটা ঠাইত
সেই পাপাৰ্থক বলি কাটিব। ৩০ তেতিয়া পুৰোহিতে আঙুলিৰে তাৰ
কিছু তেজ লৈ, হোমবেদিৰ শিঙত লগাব আৰু তাৰ অৱশিষ্ট তেজখিনি
বেদিৰ মূলত ঢালি দিব। ৩১ আৰু মঙ্গলাৰ্থক বলিৰ পৰা তেল এৰুৱাই
লোৱাৰ দৰে তাৰো আটাইবোৰ তেল এৰুৱাই ল'ব; তাৰ পাছত
পুৰোহিতে যিহোৱাৰ উদ্দেশ্যে সুঘ্ৰাণৰ অৰ্থে বেদীৰ ওপৰত তাক দগ্ধ
কৰিব; এইদৰে পুৰোহিতে সেই লোক জনৰ পাপৰ অৰ্থে প্ৰায়শ্চিত্ত
কৰিব আৰু তেওঁৰ পাপ ক্ষমা হ'ব। ৩২ যদি তেওঁ পাপাৰ্থক বলিৰ
উপহাৰ স্বৰূপে মেৰ-ছাগ পোৱালি আনে, তেন্তে তেওঁ এজনী নিৰ্ঘূণী
চেঁউৰী মেৰ-ছাগ আনিব। ৩৩ তাৰ পাছত তেওঁ সেই পাপাৰ্থক বলিৰ
মূৰত হাত দিব আৰু হোমবলি কটা ঠাইত পাপাৰ্থক বলি স্বৰূপে তাক
কাটিব। ৩৪ পুৰোহিতে নিজ আঙুলিৰে সেই পাপাৰ্থক বলিৰ কিছু তেজ
লৈ হোম-বেদিৰ শিঙত লগাব আৰু অৱশিষ্ট তেজখিনি বেদিৰ মূলত
ঢালি দিব। ৩৫ তেওঁ মঙ্গলাৰ্থক বলিৰ মেৰ-ছাগ পোৱালিটোৰ তেল
এৰুৱাই লোৱাৰ দৰে ইয়াৰো আটাইবোৰ তেল এৰুৱাই ল'ব আৰু
যিহোৱাৰ উদ্দেশ্যে দিয়া অগ্নিকৃত উপহাৰৰ বিধি মতে পুৰোহিতে
বেদীত তাক দগ্ধ কৰিব; এইদৰে পুৰোহিতে লোক জনে কৰা পাপৰ
অৰ্থে প্ৰায়শ্চিত্ত কৰিব আৰু তেওঁৰ পাপৰ ক্ষমা হ'ব।"

৫ যদি কোনো এজন লোকে কোনো এক বিষয়ৰ কথা শুনি বা দেখি,
সেই বিষয়ে সাক্ষ্য দিব পৰা হৈয়ো তাক প্ৰকাশ নকৰি পাপ কৰে,
তেন্তে তেওঁ নিজ অপৰাধৰ ফল ভোগ কৰিব। ২ অথবা কোনো অশুচি
বনৰীয়া জন্তুৰ শৱ বা অশুচি ঘৰচীয়া পশুৰ শৱ আৰু অশুচি উৰগ আদি
জন্তুৰেই হওঁক, যিটোক ঈশ্বৰে অশুচি কৰিলে, তাক যদি কোনোবাই
কোনো অশুচি বস্তু বুলি নজনাকৈ স্পৰ্শ কৰি আনুষ্ঠানিকভাবে অশুচি
হয়, তেন্তে তেওঁ দোষী হ'ব। ৩ বা মানুহৰ যিকোনো ধৰণৰ অশৌচ
হওঁক, তাক যদি কোনোৱে নজনাকৈ স্পৰ্শ কৰে, তেন্তে তেওঁ সেই
বিষয়ে জানিলে দোষী হ'ব। ৪ বা মানুহে অবিবেচনাৰে যি যি বিষয়
শপত লয়, সেই সেই বিষয়ে ভাল কাৰ্যই হওঁক বা বেয়া কাৰ্যই হওঁক,
কৰিম বুলি যদি কোনোৱে নিজ ওঁঠেৰে অবিবেচনাৰে, আগলৈ কি
হব তাক নজনাকৈ শপত খায়, তেন্তে তেওঁ তাক জানিলে, সেই সেই
বিষয়ত তেওঁ দোষী হব। ৫ আৰু সেই বিষয়বোৰৰ কোনো বিষয়ত
যেতিয়া কোনোজন দোষী হয়, তেতিয়া তেওঁ নিজ পাপ অৱশ্যে
স্বীকাৰ কৰিব লাগিব। ৬ তেওঁ নিজে কৰা পাপৰ দণ্ডস্বৰূপে পাপাৰ্থক
বলিদানৰ বাবে, জাকৰ পৰা এজনী চেঁউৰী মেৰ-ছাগ বা চেঁউৰী ছাগলী
যিহোৱাৰ উদ্দেশ্যে আনিব; আৰু পুৰোহিতে তেওঁৰ পাপৰ কাৰণে
তেওঁক প্ৰায়শ্চিত্ত কৰিব। ৭ যদি তেওঁ মেৰ বা ছাগলী আনিবলৈ অসমৰ্থ
হয়, তেন্তে তেওঁ কৰা নিজৰ পাপৰ দণ্ডস্বৰূপে যিহোৱাৰ উদ্দেশ্যে দুটা
কপৌ বা দুটা পাৰ পোৱালি আনিব, তাৰে এটা পাপাৰ্থক বলিৰ বাবে
আৰু আনটো হোম-বলিৰ বাবে হ'ব। ৮ তেওঁ সেই দুটাক পুৰোহিতৰ
ওচৰলৈ আনিব; আৰু পুৰোহিতে আগেয়ে পাপাৰ্থক বলি উৎসৰ্গ
কৰিবলৈ তাৰ মুৰৰ ওচৰত ডিঙি মুচৰিব, কিন্তু মূৰটো সম্পূৰ্ণকৈ
নেৰুৱাব। ৯ তাৰ পাছত পাপাৰ্থক বলিৰ অলপ তেজ বেদীৰ গাত
ছটিয়াব আৰু অৱশিষ্ট তেজখিনি বেদীৰ মুলত বাকি দিব লাগিব; এয়ে
পাপাৰ্থক বলি। ১০ তেতিয়া তেওঁ প্ৰথমতে দিয়া বিধিমতে দ্বিতীয়টো
হোমৰ অৰ্থে উৎসৰ্গ কৰিব। এইদৰে পুৰোহিতে, তেওঁ কৰা পাপৰ
কাৰণে তেওঁক প্ৰায়চিত্ত কৰিব; আৰু তেওঁৰ পাপ ক্ষমা হ'ব। ১১ কিন্তু
তেওঁ যদি দুটা কপৌ বা দুটা পাৰ পোৱালি আনিবলৈ অসমৰ্থ হয়,

তেন্তে তেওঁ নিজে কৰা পাপ কৰ্মৰ বাবে, নিজ উপহাৰ স্বৰূপে ঐফাৰ
দহ ভাগৰ এভাগ মিহি আটাগুড়ি, পাপাৰ্থক নৈবেদ্যস্বৰূপে আনিব; তাৰ
ওপৰত তেল নিদিব, কিয়নো সেয়ে পাপাৰ্থক নৈবেদ্য। ১২ তেওঁ ইয়াক
নিশ্চয়ে পুৰোহিতৰ ওচৰলৈ আনিব আৰু পুৰোহিতে তেওঁৰ স্মৰণাৰ্থক
নৈবেদ্য হিচাবে তেওঁৰ বুলি তেওঁৰ পৰা এমুঠি লৈ যিহোৱাৰ অগ্নিকৃত
উপহাৰৰ বিধিমতে তাক বেদীত দগ্ধ কৰিব; সেয়ে পাপাৰ্থক নৈবেদ্য।
১৩ এইদৰে, পুৰোহিতে সেইবোৰ ভিতৰৰ কোনো এটা বিষয়ত, তেওঁ
কৰা পাপৰ কাৰণে তাক প্ৰায়চিত্ত কৰিব; তেতিয়া তেওঁৰ পাপ ক্ষমা
হ'ব; আৰু অৱশিষ্ট ভাগ ভক্ষ্য নৈবেদ্যৰ দৰে পুৰোহিতৰ হ'ব। ১৪
তেতিয়া যিহোৱাই মোচিক ক'লে, ১৫ "যদি কোনোৱে যিহোৱাৰ পবিত্ৰ
বস্তুৰ কোনো এটা বস্তু ৰাখি, আজ্ঞা লংঘন কৰি নজনাকৈ পাপ কৰে,
তেন্তে তেওঁ জাকৰ পৰা, পবিত্ৰ-স্থানৰ চেকল অনুসাৰে যিহোৱাই
নিৰূপণ কৰাৰ দৰে, অতি কমেও দুই চেকল দামৰ এটা নিৰ্ঘূণী মতা
মেৰ দোষাৰ্থক বলি স্বৰূপে যিহোৱাৰ উদ্দেশ্যে আনিব লাগিব। ১৬
তেওঁ যি যি পবিত্ৰ বস্তু ৰাখি তেওঁ পাপ কৰিলে, যিহোৱাক সন্তুষ্ট
কৰিবলৈ ক্ষতি পুৰণ কৰিব লাগিব আৰু তাৰ লগত পাঁচভাগৰ এভাগ
পুৰোহিতক বেছিকৈ দিব লাগিব; পাছত পুৰোহিতে সেই দোষাৰ্থক
মেৰটো বলি দিয়াৰ দ্বাৰাই তেওঁক প্ৰায়চিত্ত কৰিব, তেতিয়া তেওঁৰ
পাপ ক্ষমা হ'ব। ১৭ আৰু কোনোৱে যদি যিহোৱাই নিষেধ কৰা কোনো
কৰ্ম কৰি পাপ কৰে, তেন্তে তেওঁ তাক নাজানিলেও দোষী হ'ব; আৰু
নিজ অপৰাধৰ ফল ভোগ কৰিব। ১৮ তেওঁ দোষাৰ্থক বলি দানৰ বাবে,
জাকৰ পৰা তোমাৰ নিৰূপিত মূল্য এটা নিৰ্ঘূণী মতা মেৰ পুৰোহিতৰ
ওচৰলৈ আনিব আৰু পুৰোহিতে, তেওঁ নাজানি কৰা দোষৰ বাবে
তেওঁক প্ৰায়চিত্ত কৰিব, তেতিয়া তেওঁৰ পাপৰ ক্ষমা হ'ব। ১৯ এয়ে
হৈছে দোষাৰ্থক বলি; তেওঁ অৱশ্যে যিহোৱাৰ সাক্ষাতে দোষী।"

**৬** যিহোৱাই মোচিক ক'লে, আৰু মোচিয়ে, ক'লে, ২ "কোনোৱে যদি
যিহোৱাৰ বিৰুদ্ধে আজ্ঞা লংঘন কৰি পাপ কৰে, আৰু কোনো লোকৰ
তাত বস্তু থোৱা বা বন্ধক ৰখা বা অপহৰণ কৰা, কোনো বস্তুৰ বিষয়ে
লোকৰ আগত মিছা কথা কোৱা বা লোকক অত্যাচাৰ কৰা ৩ বা

হেৰুৱা বস্তু পাই ৰাখি মিছা কথা কোৱা আৰু মিছা শপত কৰা আদি যি
সকলো কৰ্মৰ দ্বাৰাই মানুহ পাপী হয়, ৪ সেইবোৰৰ এটা কৰ্ম কৰি
যদি পাপ কৰে আৰু দোষী হয়, তেন্তে তেওঁ যি বস্তু অপহৰণ কৰিলে বা
অত্যাচাৰ কৰি পালে বা যি বস্তু থবলৈ তেওঁৰ হাতত গটাই দিয়া হ'ল
বা হেৰুৱা বস্তু পাই ৰাখিলে, তাক পুনৰ ঘূৰাই দিব লাগিব। ৫ বা
যিকোনো বিষয়ত যদি তেওঁ মিছা শপত খালে, তেনেহলে নিশ্চয়কৈ
সম্পূৰ্ণৰূপে তেওঁ সেই বস্তুৰ ক্ষতি পুৰণ কৰিব লাগিব আৰু তাৰ লগত
পাঁচভাগৰ এভাগ বেছিকৈ দিব লাগিব আৰু তাৰ দোষ প্ৰকাশিত হোৱা
দিনা তেওঁ সেই বস্তুৰ প্ৰকৃত গৰাকীক দিব লাগিব। ৬ তেওঁ দোষাৰ্থক
বলিদানৰ কাৰণে যিহোৱালৈ বলি আনিব আৰু ইয়াক জাকৰ পৰা
নিৰূপিত মূল্যৰ এটা নিৰ্ঘূণী মতা মেৰ নিজৰ দোষাৰ্থক বলি স্বৰূপে
পুৰোহিতৰ ওচৰলৈ আনিব। ৭ পুৰোহিতে যিহোৱাৰ সন্মুখত তেওঁক
প্ৰায়চিত্ত কৰিব; আৰু যি কৰ্মৰ দ্বাৰাই তেওঁ দোষী হয়, সেই দোষৰ
পৰা তেওঁ ক্ষমা পাব।" ৮ তেতিয়া যিহোৱাই মোচিক ক'লে, ৯ "তুমি
হাৰোণক আৰু তেওঁৰ পুত্ৰসকলক এই আজ্ঞা দিয়া, 'হোমৰ নিয়ম
এই: হোম-দ্ৰব্য ওৰে ৰাতি আনকি ৰাতিপুৱালৈকে বেদীৰ ওপৰত
জুইশালত থাকিব আৰু বেদীৰ জুই তাৰ দ্বাৰাই জ্বলি থাকিব। ১০
পুৰোহিত শণ সূতাৰ অন্তৰ্বাস পিন্ধিব আৰু বেদীৰ ওপৰত অগ্নিকৃত
হোমৰ পাছত যি ভস্ম বাকি থাকে, তাক গুচাই বেদীৰ দাঁতিত থব। ১১
পাছত তেওঁ নিজৰ সেই বস্ত্ৰ পিন্ধিব আৰু ছাউনিৰ বাহিৰৰ কোনো শুচি
ঠাইলৈ সেই ভস্ম লৈ যাব। ১২ আৰু বেদীৰ ওপৰত জুই তাত সদায়
জ্বলি থাকিব, নুনুমাব; পুৰোহিতে প্ৰতি ৰাতিপুৱা তাৰ ওপৰত কাঠ দি
জুই জ্বলাব, আৰু তাৰ ওপৰত হোম-বলি সজাই দিব, আৰু মঙ্গলাৰ্থক
বলিৰ তেলখিনি তাৰ ওপৰত দগ্ধ কৰিব। ১৩ বেদীৰ ওপৰত অগ্নি
সদায় জ্বলি থাকিব। ই কেতিয়াও নুমাই নাযাব। ১৪ শস্য উৎসৰ্গ
কৰাৰ নিয়ম এই। হাৰোণৰ পুত্ৰসকলে ইয়াক বেদীৰ আগত যিহোৱাৰ
সন্মুখত উৎসৰ্গ কৰিব। ১৫ পাছত পুৰোহিতে ভক্ষ্য নৈবেদ্যৰ পৰা
এমুঠি মিহি আটাগুড়ি আৰু সেই তেল লৈ নৈবেদ্যৰ ওপৰত থকা
আটাইখিনি ধূপ-ধূনা লৈ, তাৰ স্মৰণাৰ্থক অংশ বুলি সুঘ্ৰাণৰ অৰ্থে

যিহোৱাৰ উদ্দেশ্যে বেদীত দগ্ধ কৰিব। ১৬ ইয়াৰ অৱশিষ্ট ভাগ হাৰোণ
আৰু তেওঁৰ পুত্রসকলে ভোজন কৰিব; খমীৰ নিদিয়াকৈ কোনো পবিত্র
ঠাইত সেই ভাগ ভোজন কৰিব। ১৭ খমীৰেৰে সৈতে তাক তন্দুৰত
তাও দিয়া নহ'ব। মই নিজ অগ্নিকৃত উপহাৰৰ পৰা তেওঁলোকৰ
পাবলগীয়া ভাগ বুলি তাক দিলোঁ; পাপাৰ্থক বলি আৰু দোষাৰ্থক বলিৰ
দৰে সেয়ে অতি পবিত্র। ১৮ হাৰোণৰ সন্তান সকলৰ মাজত যি কোনো
পুৰুষে তাক ভোজন কৰিব পাৰিব; যিহোৱাৰ অগ্নিকৃত উপহাৰৰ পৰা
এয়ে পুৰুষানুক্রমে চিৰকাল তোমালোকৰ অধিকাৰ হ'ব। যিকোনোৱে
ইয়াক স্পৰ্শ কৰিব, তেৱোঁ পবিত্র হ'ব।" ১৯ পাছত যিহোৱাই মোচিক
পুনৰ ক'লে, ২০ "হাৰোণ অভিষিক্ত হোৱা দিনা তেওঁ আৰু তেওঁৰ
পুত্রসকলে যিহোৱাৰ উদ্দেশ্যে যি উপহাৰ উৎসৰ্গ কৰিব, সেয়ে এই;
তেওঁলোকে নিত্য ভক্ষ্য নৈবেদ্যৰ অৰ্থে, ঐফাৰ দহভাগৰ এভাগ মিহি
আটাগুড়ি লৈ ৰাতিপুৱা আধা আৰু গধূলি আধা উৎসৰ্গ কৰিব। ২১
তাক তেলেৰে তাৱাত যুগুত কৰিব লাগিব; সেয়ে ভাজা হ'লে তাক
তুমি ভিতৰলৈ আনিবা; তুমি যিহোৱাৰ উদ্দেশ্যে সুঘ্ৰাণৰ অৰ্থে, সেই
ভক্ষ্য নৈবেদ্যৰ সিজোৱা খণ্ডবোৰ উৎসৰ্গ কৰিবা। ২২ পাছত হাৰোণৰ
পুত্রসকলৰ মাজৰ যি জন তেওঁৰ পদত অভিষিক্ত পুৰোহিত হ'ব, তেওঁ
ইয়াক উৎসৰ্গ কৰিব। ইয়াক যিহোৱাৰ উদ্দেশ্যে সম্পূৰ্ণৰূপে দগ্ধ কৰা
হ'ব; এয়ে চিৰস্থায়ী বিধি। ২৩ পুৰোহিতে দিয়া প্ৰত্যেক ভক্ষ্য নৈবেদ্য
সম্পূৰ্ণৰূপে দগ্ধ কৰিব লাগিব, তাৰ একোকে খাব নালাগিব।" ২৪
যিহোৱাই মোচিক ক'লে, ২৫ "তুমি হাৰোণ আৰু তেওঁৰ পুত্রসকলক
কোৱা, 'পাপাৰ্থক বলিদানৰ নিয়ম এই: যি ঠাইত হোমবলি কটা হ'ব,
সেই ঠাইতে যিহোৱাৰ সন্মূখত পাপাৰ্থক বলিও কটা হ'ব; সেয়ে অতি
পবিত্র। ২৬ যি পুৰোহিতে পাপৰ অৰ্থে তাক উৎসৰ্গ কৰিব, তেৱেঁই
তাক ভোজন কৰিব; সাক্ষাৎ কৰা তম্বুৰ চোতালত কোনো পবিত্র ঠাইত
তাক ভোজন কৰিব। ২৭ যিকোনোৱে তাৰ মাংস স্পৰ্শ কৰিব, তেওঁ
পবিত্র হ'ব; আৰু যদি তাৰ তেজৰ কিছু কোনো বস্ত্ৰত ছিতা লাগে,
তেন্তে তুমি সেই তেজ লগা বস্ত্র কোনো পবিত্র ঠাইত ধুবা। ২৮ কিন্তু যি
মাটিৰ পাত্ৰত তাক সিজোৱা হ'ব, তাক ভাঙি পেলাব লাগিব; যদি

পিতলৰ পাত্ৰত তাক সিজোৱা হয়, তেন্তে তাক ভালদৰে মাজি পানীত
ধুই পৰিষ্কাৰ কৰিব লাগিব। ২৯ পুৰোহিতসকলৰ মাজৰ যিকোনো
পুৰুষে ইয়াক ভোজন কৰিব পাৰিব; সেয়ে অতি পবিত্ৰ। ৩০ আৰু
পবিত্ৰ স্থানত প্ৰায়শ্চিত্ত কৰিবৰ বাবে যি পাপাৰ্থক বলিৰ তেজ সাক্ষাৎ
কৰা তম্বুৰ ভিতৰলৈ অনা হ'ব, সেই বলিৰ অলপো ভোজন কৰা নহব;
তাক জুইত পুৰি পেলোৱা হ'ব।

৭ এয়া দোষাৰ্থক বলিদানৰ নিয়ম: ই অতি পবিত্ৰ। ২ 'যি ঠাইত
হোম-বলি কটা হ'ব, সেই ঠাইতে দোষাৰ্থক বলিও কটা হ'ব; আৰু
পুৰোহিতে বেদীৰ চাৰিওকাষে তাৰ তেজ ছটিয়াই দিব। ৩ তেওঁ তাৰ
সকলো তেল উৎসৰ্গ কৰিব: চৰ্বিযুক্ত নেজ, ভিতৰভাগৰ নাড়ী-ভুৰুৰ
তেল, ৪ ঘিলা দুটা আৰু কিনাৰত লাগি থকা তাৰ ওপৰৰ তেল আৰু
কলিজাৰ ওচৰত থকা তাৰ তেলীয়া ভাগ উৎসৰ্গ কৰিব; আৰু সেই
ভাগ ঘিলালৈকে এৰুৱাই ল'ব। ৫ পাছত পুৰোহিতে সেই সকলোকে
যিহোৱাৰ উদ্দেশ্যে অগ্নিকৃত উপহাৰ স্বৰূপে বেদীৰ ওপৰত দগ্ধ কৰিব;
সেয়ে দোষাৰ্থক বলি। ৬ পুৰোহিতসকলৰ মাজৰ যিকোনো পুৰুষে তাক
ভোজন কৰিব পাৰিব আৰু কোনো পবিত্ৰ ঠাইত তাক ভোজন কৰিব
লাগিব; সেয়ে অতি পবিত্ৰ। ৭ পাপাৰ্থক বলি যেনে, দোষাৰ্থক বলিও
তেনে। আৰু দুয়োৰো নিয়ম-নীতি একে। যি পুৰোহিতে তাৰ দ্বাৰাই
প্ৰায়শ্চিত্ত কৰিব সেয়ে তেওঁৰ হ'ব। ৮ আৰু যি পুৰোহিতে কোনো
হোম-বলি উৎসৰ্গ কৰিব, নিজে উৎসৰ্গ কৰা সেই হোম বলিৰ ছাল
তেওঁৰ নিজৰ হ'ব। ৯ আৰু তন্দুৰত তাও দিয়া প্ৰত্যেক ভক্ষ্য নৈবেদ্য
আৰু কেৰাহীত ভজা, বা তাৱাত তাও দিয়া সকলো বস্তু উৎসৰ্গকাৰী
পুৰোহিতৰ হ'ব। ১০ তেল মিহলোৱা বা শুকান প্ৰত্যেক ভক্ষ্য নৈবেদ্য
হাৰোণৰ পুত্ৰসকলে সমানে পাব। ১১ যিহোৱাৰ উদ্দেশ্যে উৎসৰ্গ কৰা
মঙ্গলাৰ্থক বলিৰ নিয়ম এই। ১২ যদি কোনোৱে ধন্যবাদাৰ্থক বলি
উৎসৰ্গ কৰে, তেনেহলে তেওঁ বলিৰ সৈতে, তেল মিহলোৱা খমীৰ
নিদিয়া বিন্ধা থকা কেইটামান পিঠা, তেল নিদিয়া খমীৰ কেইটামান
পাতল চকলীয়া পিঠা আৰু তেলত ভজা মিহি আটাগুড়িৰে কৰা তেল
মিহলোৱা বিন্ধা থকা কেইটামান পিঠা উৎসৰ্গ কৰিব। ১৩ ধন্যবাদ

দিয়াৰ উদ্দেশ্যে নিজ মঙ্গলাৰ্থক বলিৰে সৈতে খমীৰ দিয়া বিন্ধা থকা
কেইটামান পিঠাও উপহাৰ স্বৰূপে উৎসৰ্গ কৰিব। ১৪ আৰু তেওঁ
প্ৰত্যেক উপহাৰৰ পৰা এটা এটা পিঠা লৈ, উত্তোলনীয় উপহাৰ স্বৰূপে
যিহোৱাৰ উদ্দেশ্যে উৎসৰ্গ কৰিব; যি পুৰোহিতে মঙ্গলাৰ্থক বলিৰ
তেজ ছটিয়াব; তেওঁৰেই তাক পাব। ১৫ ধন্যবাদ দিয়াৰ উদ্দেশ্যে
দিয়া মঙ্গলাৰ্থক বলিৰ মাংসৰ উপহাৰ উৎসৰ্গ কৰাৰ দিনাখনে ভোজন
কৰিব লাগিব; তাৰ অলপো ৰাতিপুৱালৈ ৰাখিব নোৱাৰিব। ১৬ কিন্তু
তেওঁ উৎসৰ্গ কৰা বলি যদি সংকল্প কৰা বা নিজৰ ইচ্ছামতে এনেই
দিয়া উপহাৰ হয়; তেন্তে বলি উৎসৰ্গ কৰা দিনাই তাক ভোজন কৰিব
লাগিব; আৰু পাছ দিনাও তাৰ অৱশিষ্ট ভাগ ভোজন কৰিব পাৰিব।
১৭ কিন্তু তৃতীয় দিনা বলিৰ অৱশিষ্ট মাংস জুইত পুৰি ভস্ম কৰিব
লাগিব। ১৮ যদি তৃতীয় দিনাও সেই মঙ্গলাৰ্থক বলিৰ অলপ মাংস
ভোজন কৰে, তেন্তে সেই বলি গ্ৰহন নহব আৰু সেই বলি উৎসৰ্গকাৰীৰ
পক্ষে গণিত নহব; সেয়ে ঘিণলগীয়া হ'ব। ১৯ যদি কোনো মঙহ
অশুচি বস্তুৰ লগত স্পৰ্শ হয়, তেনেহলে সেই মঙহ খাব পৰা নহ'ব।
সেয়া জুইত পুৰি ভস্ম কৰা হ'ব। আন মঙহ হ'লে, প্ৰত্যেক শুচি
মানুহে খাব পাৰিব। ২০ যি কোনোৱে অশুচি হৈ থাকি যিহোৱাৰ
উদ্দেশ্যে উৎসৰ্গ কৰা মঙ্গলাৰ্থক বলিৰ মাংস ভোজন কৰিব, সেই
মানুহক নিজ লোকসকলৰ মাজৰ পৰা উচ্ছন্ন কৰা হ'ব। ২১ কোনোৱে
যদি কোনো অশুচি দ্ৰব্য- মানুহৰ অশৌচ বা অশুচি পশু বা কোনো
অশুচি ঘিণলগীয়া বস্তু চুই, যিহোৱাৰ উদ্দেশ্যে উৎসৰ্গ কৰা মঙ্গলাৰ্থক
বলিৰ মাংস ভোজন কৰে, তেন্তে সেই মানুহক নিজ লোকসকলৰ
মাজৰ পৰা উচ্ছন্ন কৰা হ'ব।" ২২ পাছত যিহোৱাই মোচিক ক'লে,
২৩ "তুমি ইস্ৰায়েলৰ সন্তান সকলক কোৱা, 'তোমালোকে গৰুৰ, কি
মেৰৰ, কি ছাগলীৰ তেল নাখাবা। ২৪ আৰু নিজে-নিজেই মৰা বা
জন্তুৰ দ্বাৰাই চিৰা পশুৰ তেল কোনো কামত লগাব পাৰা, কিন্তু
তাক তোমালোকে কোনোমতে নাখাবা। ২৫ কিয়নো যিকোনো পশুৰ
পৰা যিহোৱাৰ উদ্দেশ্যে অগ্নিকৃত উপহাৰ উৎসৰ্গ কৰা যায়, সেই
পশুৰ তেল যি কোনোৱে খাব, সেই খোৱা জনক নিজ লোকসকলৰ

মাজৰ পৰা উচ্ছন্ন কৰা হ’ব। ২৬ আৰু তোমালোকে বাস কৰা কোনো
ঠাইত, পক্ষীৰে হওঁক বা পশুৰেই হওঁক, তোমালোকে একোৰেই তেজ
নাখাবা। ২৭ যি কোনোৱে কোনো ধৰণৰ তেজ খাব, সেই মানুহক
নিজ লোকসকলৰ মাজৰ পৰা উচ্ছন্ন কৰা হ’ব’।” ২৮ পাছত যিহোৱাই
মোচিক ক’লে, ২৯ “তুমি ইস্ৰায়েলৰ সন্তান সকলক কোৱা, ‘যি জনে
যিহোৱাৰ উদ্দেশ্যে নিজৰ মঙ্গলাৰ্থক বলি উৎসৰ্গ কৰিব, সেই জনে
নিজৰ মঙ্গলাৰ্থক বলিৰ পৰা যিহোৱাৰ উদ্দেশ্যে নিজ উপহাৰ আনিব।
৩০ তেওঁ নিজ হাতে যিহোৱাৰ অগ্নিকৃত উপহাৰ আনিব। দোলনীয়
নৈবেদ্য স্বৰূপে বলিৰ আমঠু যিহোৱাৰ সন্মূখত দোলোৱা হবলৈ,
আমঠুৰে সৈতে তেওঁ তেলখিনি আনিব। ৩১ আৰু পুৰোহিতে সেই
তেল বেদীৰ ওপৰত দগ্ধ কৰিব; কিন্তু আমঠুটো হাৰোণৰ আৰু তেওঁ
পুত্ৰসকলৰ হ’ব। ৩২ আৰু তোমালোকে নিজ নিজ মঙ্গলাৰ্থক বলিৰ
সোঁ কৰঙন অংশটো উত্তোলনীয় উপহাৰৰ অৰ্থে পুৰোহিতক দিবা।
৩৩ হাৰোণৰ পুত্ৰসকলৰ মাজৰ যি জনে মঙ্গলাৰ্থক বলিৰ তেজ আৰু
তেল উৎসৰ্গ কৰিব, তেওঁ নিজৰ অঙ্গ স্বৰূপে সেই সোঁ কৰঙনটো পাব।
৩৪ ইস্ৰায়েলৰ সন্তান সকলৰ পৰা মই তেওঁলোকৰ প্ৰত্যেক মঙ্গলাৰ্থক
বলিৰ দোলনীয় উপহাৰ যি আমঠু আৰু উত্তোলনীয় উপহাৰ যি সোঁ
পাছ-পিৰা, তাক লৈ ইস্ৰায়েলৰ সন্তান সকলে দিবলগীয়া বুলি চিৰস্থায়ী
অধিকাৰ স্বৰূপে হাৰোণ পুৰোহিত আৰু তেওঁৰ পুত্ৰসকলক দিলোঁ।
৩৫ যিদিনা তেওঁ হাৰোণ আৰু তেওঁৰ পুত্ৰসকলক যিহোৱাৰ পুৰোহিত
কৰ্মৰ বাবে উপস্থিত কৰিলে, সেই দিনা যিহোৱাৰ অগ্নিকৃত উপহাৰৰ
পৰা সেইয়াই তেওঁলোকে পাবলগীয়া ভাগ। ৩৬ তেওঁ তেওঁলোকক
অভিষেক কৰা দিনা পুৰুষানুক্ৰমে ইস্ৰায়েলৰ সন্তান সকলে দিবলগীয়া
বুলি চিৰস্থায়ী অধিকাৰ স্বৰূপে তাক তেওঁলোকক দিবলৈ যিহোৱাই
আজ্ঞা কৰিলে। ৩৭ এইবোৰেই হোম-বলিৰ, ভক্ষ্য নৈবেদ্যৰ, পাপাৰ্থক
বলিৰ, দোষাৰ্থক বলিৰ, নিযুক্তকৰণাৰ্থক বলিৰ আৰু মঙ্গলাৰ্থক বলিৰ
নিয়ম।” ৩৮ যিহোৱাই যিদিনা চীনয় অৰণ্যত ইস্ৰায়েলৰ সন্তান সকলক
যিহোৱাৰ উদ্দেশ্যে নিজ নিজ উপহাৰৰ উৎসৰ্গ কৰিবলৈ আজ্ঞা কৰিলে

সেই দিনা তেওঁ চীনয় পৰ্ব্বতত মোচিক এইবোৰৰ বিষয়ে আজ্ঞা
দিলে।

৮ পাছত যিহোৱাই মোচিক ক'লে, ২ "তুমি হাৰোণক আৰু তেওঁৰ
লগত তেওঁৰ পুত্ৰসকলক, লগত বস্ত্ৰবোৰ, অভিষেকাৰ্থক তেল,
পাপাৰ্থক বলিদানৰ দমৰা গৰুটো, মতা মেৰ দুটা আৰু খমীৰ নিদিয়া
পিঠাৰ খৰাহিটো লোৱা। ৩ আৰু সাক্ষাৎ কৰা তম্বুৰ দুৱাৰ মুখত গোটেই
সমাজক গোটোৱা।" ৪ সেয়ে মোচিয়ে যিহোৱাৰ আজ্ঞাৰ দৰে কৰিলে
আৰু সাক্ষাৎ কৰা তম্বুৰ দুৱাৰমুখত সমাজ গোট খালে। ৫ তেতিয়া
মোচিয়ে গোট খোৱা সমাজখনক ক'লে, "যিহোৱাই এই কৰ্ম কৰিবলৈ
আজ্ঞা কৰিলে।" ৬ এইদৰে মোচিয়ে হাৰোণ আৰু তেওঁৰ পুত্ৰসকলক
ওচৰলৈ আনি পানীৰে গা ধুৱালে। ৭ তেওঁ হাৰোণক অঙ্গৰক্ষক বস্ত্ৰখন
পিন্ধালে আৰু টঙালি বন্ধা চোলাটো পিন্ধালে আৰু এফোদ পিন্ধাই,
এফোদত নিপুণ ৰূপে বোৱা টঙালি কাপোৰ কঁকালত মেৰাই তাৰে
সৈতে এফোদ বান্ধিলে। ৮ তেওঁৰ বুকুত বুকুপতা দিলে আৰু বুকুপতাত
পুৰীম আৰু তুস্মীম দিলে। ৯ আৰু তেওঁৰ মূৰত পাগুৰি পিন্ধালে,
আৰু পাগুৰিটোৰ ওপৰত আগফালে পবিত্ৰ মুকুটস্বৰূপ সোণৰ পচাখন
লগাই দিলে। যিহোৱাই দিয়া আজ্ঞাৰ দৰেই মোচিয়ে এই সকলোকে
কৰিলে। ১০ মোচিয়ে অভিষেকাৰ্থক তেল লৈ, আবাস আৰু তাৰ
সকলোকে অভিষেক কৰি পবিত্ৰ কৰিলে। ১১ তাৰ পৰা অলপ তেল লৈ
যজ্ঞবেদীৰ ওপৰত সাতবাৰ ছটিয়ালে আৰু বেদী আৰু তাৰ সকলো
সজুলি, প্ৰক্ষালন-পাত্ৰ আৰু তাৰ খুৰা পবিত্ৰ কৰিবৰ অৰ্থে অভিষেক
কৰিলে। ১২ তেওঁ অভিষেকাৰ্থক তেলৰ কিছু লৈ, হাৰোণৰ মুৰত
ঢালি দিলে আৰু তেওঁক পবিত্ৰ কৰিবৰ অৰ্থে অভিষেক কৰিলে। ১৩
মোচিয়ে হাৰোণৰ পুত্ৰসকলক আগলৈ আনি তেওঁলোককো অঙ্গৰক্ষক
বস্ত্ৰ পিন্ধাই, কঁকালত টঙালি বান্ধি মুৰত পাগুৰি মাৰি দিলে। যিহোৱাই
দিয়া আজ্ঞাৰ দৰেই মোচিয়ে এই সকলোকে কৰিলে। ১৪ তেতিয়া
মোচিয়ে পাপাৰ্থক বলিদানৰ বাবে অনা দমৰা গৰুটো লৈ অহাৰ পাছত,
হাৰোণ আৰু তেওঁৰ পুত্ৰসকলে সেই পাপাৰ্থক গৰুটোৰ মূৰত হাত
দিলে। ১৫ তেওঁ তাক কাটিলে আৰু মোচিয়ে তাৰ কিছু তেজ লৈ,

আঙুলিৰে বেদীৰ চাৰিওফালৰ শিঙত লগাই বেদীটো পাপৰ পৰা মুক্ত
কৰিলে; আৰু বাকী তেজখিনি লৈ, বেদীৰ মূৰত ঢালি দিলে আৰু তাক
প্ৰায়চিত্ত কৰি পবিত্ৰ কৰিলে।
১৬ পাছত নাড়ী-ভুৰু লাগি থকা আটাই
তেল আৰু কলিজাৰ ওচৰত থকা, তেলীয়া ভাগ, ঘিলা দুটা আৰু তাৰ
তেল আতৰোৱাৰ পাছত, মোচিয়ে সেইবোৰ বেদীত দগ্ধ কৰিলে।
১৭ কিন্তু গৰুটো, ইয়াৰ ছাল, মাংস আৰু গোবৰেৰে সৈতে ছাউনিৰ
বাহিৰত জুইত পুৰি ভস্ম কৰা হ'ল। যিহোৱাই দিয়া আজ্ঞাৰ দৰেই
মোচিয়ে এই সকলোকে কৰিলে।
১৮ পাছত মোচিয়ে আন এটা মতা
মেৰ হোমবলিৰ বাবে লৈ আহিল; হাৰোণ আৰু তেওঁৰ পুত্ৰসকলে মেৰৰ
মূৰত হাত দিলে।
১৯ তেওঁ তাক কাটিলে আৰু বেদীৰ চাৰিওঁফালে
তাৰ তেজ ছটিয়াই দিলে।
২০ মোচিয়ে মেৰটো খণ্ড খণ্ড কৰি কাটিলে,
আৰু তাৰ মূৰ, আন খণ্ডবোৰ আৰু তেল জুইত পুৰিলে।
২১ তেওঁ
মেৰটোৰ ভিতৰ অংশৰ নাড়ী-ভুৰু আৰু ঠেংকেইখন পানীত ধুলে,
আৰু সম্পূৰ্ণ মেৰটো বেদীত পুৰিলে। এয়ে হোম-বলি, সুঘ্ৰাণৰ অৰ্থে
যিহোৱাৰ উদ্দেশ্যে দিয়া অগ্নিকৃত উপহাৰ। যিহোৱাই দিয়া আজ্ঞাৰ
দৰেই মোচিয়ে এই সকলোকে কৰিলে।
২২ তাৰ পাছত মোচিয়ে
দ্বিতীয় মতা মেৰটো আনিলে, এইটো অভিষেকৰ মেৰ; হাৰোণ আৰু
তেওঁৰ পুত্ৰসকলে সেই মেৰৰ মূৰত হাত দিলে।
২৩ হাৰোণে এইটো
কটাৰ পাছত, মোচিয়ে ইয়াৰ অলপ তেজলৈ, হাৰোণৰ সোঁ কাণত,
মূৰত, সোঁ হাতৰ বুঢ়া আঙুলিত আৰু সোঁ ভৰিৰ বুঢ়া আঙুলিটোত লগাই
দিলে।
২৪ পাছত তেওঁ হাৰোণৰ পুত্ৰসকলক নিজৰ ওচৰলৈ আনিলে
আৰু তেওঁ সেই তেজৰ অলপমান তেওঁলোকৰো সোঁ কাণত, সোঁ হাতৰ
বুঢ়া আঙুলিত আৰু সোঁ ভৰিৰ বুঢ়া আঙুলিত লগাই দিলে। তাৰ পাছত
অৱশিষ্ট তেজখিনি বেদীৰ চাৰিওফালে ছটিয়াই দিলে।
২৫ পাছত তেওঁ
তেল খিনি, নেজডাল, নাড়ী-ভুৰুত লাগি থকা আটাই তেল, কলিজা
আৰু কলিজাৰ ওচৰত থকা তেলীয়া ভাগ, ঘিলা দুটাৰ সৈতে তাৰ তেল
আৰু পাছফালৰ সোঁ কৰঙনটো ল'লে।
২৬ আৰু যিহোৱাৰ সন্মূখত
থকা খমীৰ নিদিয়া পিঠা, খৰাহিৰ পৰা এটা খমীৰ নিদিয়া বিন্ধা
থকা পিঠা আৰু এটা পাতল চকলীয়া পিঠা লৈ, সেই তেল আৰু সোঁ

কৰঙনটোৰ ওপৰত হ’ল। ২৭ আৰু হাৰোণ ও তেওঁৰ পুৰোহিতসকলৰ
হাতত সেই সকলোকে দি, যিহোৱাৰ সন্মূখত দোলনীয় নৈবেদ্যৰ অৰ্থে
দোলালে। ২৮ তেতিয়া মোচিয়ে, তেওঁলোকৰ হাতৰ পৰা সেইবোৰ
লৈ, বেদীত হোম-বলিৰ ওপৰত দগ্ধ কৰিলে; এয়ে সুঘ্ৰাণৰ অৰ্থে দিয়া
অভিষেকৰ নৈবেদ্য। এয়ে যিহোৱাৰ উদ্দেশ্যে দিয়া অগ্নিকৃত উপহাৰ।
২৯ পাছত তেওঁ আমঠুটো লৈ যিহোৱাৰ সন্মূখত দোলনীয় নৈবেদ্যৰ
অৰ্থে দোলালে; অভিষেকৰ মেৰৰ এই আমঠুটো মোচিৰ ভাগ হ’ল।
যিহোৱাই দিয়া আজ্ঞাৰ দৰে মোচিয়ে এই সকলোকে কৰিলে। ৩০
পাছত মোচিয়ে অভিষেকাৰ্থক তেলৰ পৰা আৰু বেদীৰ ওপৰত থকা
তেজৰো পৰা কিছু লৈ, হাৰোণৰ ওপৰত আৰু তেওঁৰ বস্ত্ৰৰ ওপৰত,
তেওঁৰে সৈতে তেওঁৰ পুত্ৰসকলৰ ওপৰত আৰু তেওঁলোকৰ বস্ত্ৰৰ
ওপৰতো ছটিয়াই দি, হাৰোণক আৰু তেওঁৰ বস্ত্ৰবোৰ আৰু তেওঁৰে
সৈতে তেওঁ পুত্ৰসকলক আৰু তেওঁলোকৰ বস্ত্ৰবোৰ পবিত্ৰ কৰিলে। ৩১
সেয়ে মোচিয়ে হাৰোণ আৰু তেওঁৰ পুত্ৰসকলক ক’লে, “সাক্ষাৎ কৰা
তম্বুৰ দুৱাৰ মুখত তোমালোকে মঙহখিনি সিজাবা; আৰু ‘হাৰোণ ও
তেওঁৰ পুত্ৰসকলে তাক ভোজন কৰিব লাগে’, এইবুলি কোৱা মোৰ
আজ্ঞাৰ দৰে তোমালোকে সেই ঠাইত তাক আৰু নিযুক্ত কৰণাৰ্থক
খৰাহিত থকা পিঠা ভোজন কৰিবা। ৩২ যিবোৰ বাকী থকা মাংস
আৰু পিঠা ৰৈ যাব, সেইবোৰ জুইত পুৰি ভস্ম কৰিবা। ৩৩ আৰু
তোমালোকে সাত দিনলৈকে, অৰ্থাৎ তোমালোকক নিযুক্ত কৰা দিন
শেষ নোহোৱালৈকে, সাক্ষাৎ কৰা তম্বু দুৱাৰৰ পৰা বাহিৰলৈ নাযাবা।
কাৰণ তোমালোকক নিযুক্ত কৰোঁতে সাতদিন লাগিব। ৩৪ আজি
যেনেকৈ কৰা গ’ল, তোমালোকক প্ৰায়চিত্ত কৰিবৰ অৰ্থে তেনেকৈ
কৰিবলৈ যিহোৱাই আজ্ঞা দিলে। ৩৫ এই হেতুকে তোমালোকে মৰা
নপৰিবৰ বাবে, সাত দিনলৈকে দিনে ৰাতিয়ে সাক্ষাৎ কৰা তম্বুৰ
দুৱাৰ মুখত থাকি পাৰ্য্যমানে যিহোৱাৰ পালনীয়খিনি পালন কৰিবা,
কিয়নো মই এনে আজ্ঞা পালোঁ।” ৩৬ যিহোৱাই মোচিৰ দ্বাৰাই যি
সকলো কৰিবলৈ আজ্ঞা দিছিল, হাৰোণ আৰু তেওঁৰ পুত্ৰসকলে সেই
সকলোকে কৰিলে।

**৯** অষ্টম দিনৰ আনুষ্ঠানিকৰ পাছত মোচিয়ে হাৰোণ আৰু তেওঁৰ
পুত্ৰসকল আৰু ইস্ৰায়েলৰ পৰিচাৰক সকলক মাতি আনিলে। ২ তেওঁ
হাৰোণক ক'লে, "তুমি নিজৰ অৰ্থে, পাপাৰ্থক বলিৰ কাৰণে জাকৰ
পৰা এটা নিঘূণ দামুৰি আৰু হোম-বলিৰ কাৰণে এটা নিৰ্ঘূণী মতা মেৰ
লৈ, যিহোৱাৰ সন্মুখত উৎসৰ্গ কৰা। ৩ আৰু ইস্ৰায়েলৰ সন্তান সকলক
তুমি নিশ্চয় কোৱা, 'তোমালোকে যিহোৱাৰ সন্মূখত বলিদান কৰিবৰ
অৰ্থে, পাপাৰ্থক বলিৰ কাৰণে এটা মতা ছাগলী আৰু হোমৰ কাৰণে
এটা এবছৰীয়া নিঘূণ দমৰা গৰু আৰু এটা এবছৰীয়া নিঘূণ মেৰ
পোৱালি, ৪ আৰু মঙ্গলাৰ্থক বলিৰ কাৰণে এটা ষাঁড় আৰু এটা মতা মেৰ
আৰু তেল মিহলোৱা ভক্ষ্য নৈবেদ্য লোৱা; কিয়নো আজি যিহোৱাই
তোমালোকক দৰ্শন দিব'।" ৫ তেতিয়া তেওঁলোকে, মোচিয়ে আজ্ঞা
কৰা সকলোকে সাক্ষাৎ কৰা তম্বুৰ দুৱাৰ মুখলৈ নিলে আৰু গোটেই
মণ্ডলী ওচৰ চাপি যিহোৱাৰ সন্মূখত থিয় হ'ল। ৬ পাছত মোচিয়ে
ক'লে, "যিহোৱাই তোমালোকক এই কৰ্ম কৰিবলৈ আজ্ঞা কৰিলে;
ইয়াকে কৰিলে তোমালোকলৈ যিহোৱাৰ প্ৰতাপ প্ৰকাশিত হ'ব।" ৭
পাছত মোচিয়ে হাৰোণক ক'লে, "তুমি বেদীৰ ওচৰলৈ গৈ, যিহোৱাৰ
আজ্ঞা অনুসাৰে তোমাৰ পাপাৰ্থক বলি আৰু হোম-বলি উৎসৰ্গ কৰি,
নিজক আৰু লোকসকলক প্ৰায়শ্চিত্ত কৰা; আৰু লোকসকলৰো উপহাৰ
উৎসৰ্গ কৰি, তেওঁলোককো প্ৰায়শ্চিত্ত কৰা।" ৮ তেতিয়া হাৰোণে
বেদীৰ ওচৰলৈ গৈ, নিজৰ অৰ্থে লোৱা পাপাৰ্থক বলিদানৰ দামুৰীটো
কাটিলে। ৯ পাছত হাৰোণৰ পুত্ৰসকলে সেই বলিৰ তেজ তেওঁৰ
ওচৰলৈ আনিলে; আৰু তেওঁ নিজ আঙুলি তেজত জুবুৰিয়াই বেদীৰ
শিঙত লগালে, পাছত অৱশিষ্ট তেজখিনি বেদীৰ মুলত ঢালি দিলে।
১০ কিন্তু পাপাৰ্থক বলিৰ তেল, ঘিলা দুটা আৰু কলিজাৰ ওচৰত থকা
তেলীয়া ভাগ বেদীত দগ্ধ কৰিলে। যিহোৱাই দিয়া আজ্ঞাৰ দৰেই
মোচিয়ে এই সকলোকে কৰিলে। ১১ আৰু তাৰ মঙহখিনি আৰু ছালখন
ছাউনিৰ বাহিৰত জুইত পুৰি ভস্ম কৰা হ'ল। ১২ পাছে হোম-বলিটো
কটা হ'ল, আৰু হাৰোণৰ পুত্ৰসকলে তাৰ তেজখিনি তেওঁৰ ওচৰলৈ
তেওঁ বেদীত চাৰিওফালে ছটিয়াই দিলে। ১৩ পাছত তেওঁলোক হোম-

বলিৰ মাংস খণ্ড খণ্ড কৰি মূৰটোৰে সৈতে খণ্ডবোৰ তেওঁৰ ওচৰলৈ
আনিলে, আৰু তেওঁ সেই সকলোকে বেদীৰ ওপৰত দগ্ধ কৰিলে। ১৪
তেওঁ নাড়ী-ভুৰুখিনি আৰু ঠেং-কেইটা ধুই, বেদীত হোমৰ ওপৰত দগ্ধ
কৰিলে। ১৫ পাছত লোকসকলৰ উপহাৰ ওচৰলৈ নিয়া হ'ল। তেওঁ
লোকসকলৰ পাপাৰ্থক বলিদানৰ ছাগলীটো লৈ, প্ৰথমটোৰ নিচিনাকৈ
কাটি পাপৰ অৰ্থে উৎসৰ্গ কৰিলে। ১৬ আৰু হোম-বলিটোও নিয়া হ'ল
আৰু তেওঁ বিধিমতে তাক উৎসৰ্গ কৰিলে। ১৭ আৰু ভক্ষ্য নৈবেদ্য
নিয়াৰ পাছত তেওঁ তাৰ পৰা মুঠি ভৰাই ল'লে, আৰু বেদীৰ ওপৰত
দগ্ধ কৰিলে; ৰাতিপুৱাৰ হোম-বলিৰ দৰে তেওঁ ইয়াকো কৰিলে। ১৮
পাছত তেওঁ লোকসকলৰ মঙ্গলাৰ্থক বলিদানৰ ষাঁড় আৰু মতা মেৰটো
কাটিলে; তেতিয়া হাৰোণৰ পুত্ৰসকলে তেওঁৰ ওচৰলৈ সেই বলিৰ
তেজ আনিলে, আৰু তেওঁ বেদীৰ চাৰিওকাষে তাক ছটিয়াই দিলে। ১৯
পাছত তেওঁলোকে ষাঁড় আৰু মতা মেৰটোৰ তেল, নাড়ী-ভুৰুত লাগি
থকা তেল, ঘিলা দুটা আৰু কলিজাৰ ওচৰত থকা তেলীয়া ভাগ আৰু
মেৰটোৰ নেজডাল ল'লে, ২০ সেই সকলো তেল আমঠু দুটাৰ ওপৰত
হ'ল; আৰু তেতিয়া তেওঁ বেদীৰ ওপৰত সেই তেল দগ্ধ কৰিলে। ২১
আৰু মোচিৰ আজ্ঞা অনুসাৰে, হাৰোণে যিহোৱাৰ সন্মূখত আমঠু দুটা
আৰু সোঁ কৰঙনটো দোলনীয় উপহাৰৰ অৰ্থে দোলালে। ২২ তেতিয়া
হাৰোণে তেওঁলোকৰ ফাললৈ হাত দাঙি তেওঁলোকক আশীৰ্ব্বাদ
কৰিলে; এইদৰে তেওঁ পাপাৰ্থক বলি, হোম-বলি আৰু মঙ্গলাৰ্থক বলি
উৎসৰ্গ কৰি নামি আহিল। ২৩ পাছত মোচি আৰু হাৰোণ সাক্ষাৎ কৰা
তম্বুৰ ভিতৰত সোমাল আৰু তেওঁলোকে বাহিৰ ওলাই লোকসকলক
আশীৰ্ব্বাদ কৰিলে; তেতিয়া সকলো লোকসকলৰ আগত যিহোৱাৰ
প্ৰতাপ প্ৰকাশিত হ'ল। ২৪ আৰু যিহোৱাৰ সন্মূখৰ পৰা অগ্নি ওলাই,
বেদীৰ ওপৰত থকা হোম-বলি আৰু তেলখিনি পুৰি ভস্ম কৰিলে।
তাকে দেখি সকলো লোকে আনন্দ-ধ্বনি কৰি উবুৰি হৈ পৰিল।

**১০** পাছত হাৰোণৰ পুত্ৰ নাদব আৰু অবীহূৱে নিজ নিজ আঙঠা ধৰা
লৈ, তাত জুই ৰাখি তাৰ ওপৰত ধূঁপ দি, যিহোৱাই আজ্ঞা নিদিয়া
সাধাৰণ জুই যিহোৱাৰ সন্মুখত উৎসৰ্গ কৰিলে। ২ তেতিয়া যিহোৱাৰ

সন্মুখৰ পৰা অগ্নি ওলাই তেওঁলোকক গ্ৰাস কৰিলে; তেওঁলোকে
যিহোৱাৰ সন্মূখত প্ৰাণত্যাগ কৰিলে। ৩ তেতিয়া মোচিয়ে হাৰোণক
ক'লে, "যিহোৱাই ইয়াকে কৈছিল, বোলে, 'যি সকলে মোৰ কাষ
চাপিব, তেওঁলোকৰ মাজত মোৰ পবিত্ৰতা প্ৰকাশ কৰিম। আৰু
সকলো লোকৰ সাক্ষাতে মই গৌৰৱান্বিত হ'ম।" হাৰোণ হতভম্ব
হৈ নিজমে থাকিল। ৪ মোচিয়ে হাৰোণৰ দদায়েক উজ্জীয়েলৰ পুত্ৰ
মিচায়েল আৰু ইলিচাফনক মাতি নি ক'লে, "ইয়ালৈ আহাঁ আৰু ওচৰলৈ
গৈ তোমালোকৰ জ্ঞাতি দুজনক তুলি পবিত্ৰ স্থানৰ সন্মূখৰ পৰা
ছাউনিৰ বাহিৰলৈ লৈ যোৱা।" ৫ আৰু সেয়ে তেওঁলোকে মোচিৰ
আজ্ঞা অনুসাৰে, ওচৰলৈ গৈ, অঙ্গৰক্ষক বস্ত্ৰে সৈতে তেওঁলোকক
তুলি ছাউনিৰ বাহিৰলৈ লৈ গ'ল। ৬ তেতিয়া মোচিয়ে হাৰোণক
আৰু তেওঁৰ পুত্ৰ ইলিয়াজৰ আৰু ঈথামৰক ক'লে, "তোমালোক যেন
নমৰা আৰু গোটেই মণ্ডলীলৈ যেন তেওঁৰ ক্ৰোধ প্ৰজ্বলিত নহয়, এই
কাৰণে তোমালোকে নিজ নিজ মূৰৰ চুলি মুকলিকৈ নাৰাখিবা আৰু
নিজ নিজ কাপোৰ নাফালিবা; কিন্তু যিহোৱাৰ ক্ৰোধাগ্নি জ্বলাৰ বাবে
তোমালোকৰ ভাই গোটেই ইস্ৰায়েল বংশই ক্ৰন্দন কৰক। ৭ আৰু
এই সাক্ষাৎ কৰা তম্বুৰ দুৱাৰৰ পৰা বাহিৰলৈ নাযাবা, নহ'লে মৰিবা,
কিয়নো তোমালোকৰ গাত যিহোৱাৰ অভিষেকাৰ্থক তেল আছে।"
তেতিয়া তেওঁলোকে মোচিৰ বাক্য অনুসাৰে সেই দৰে কৰিলে। ৮
তেতিয়া যিহোৱাই হাৰোণক ক'লে, ৯ "তোমালোক যেন নমৰা,
সেই কাৰণে তুমি বা তোমাৰে সৈতে তোমাৰ পুত্ৰসকলে সাক্ষাৎ
কৰা তম্বুত সোমোৱা কালত, দ্ৰাক্ষাৰস বা সুৰা পান নকৰিবা। এয়ে
তোমালোকে পুৰুষানুক্ৰমে পালন কৰিবলগীয়া চিৰস্থায়ী বিধি, ১০
আৰু তোমালোকে যেন পবিত্ৰ আৰু সামান্য বিষয়ৰ আৰু শুচি আৰু
অশুচিৰ প্ৰভেদ কৰিব পাৰিবা, ১১ আৰু মোচিৰ দ্বাৰাই যিহোৱাই
ইস্ৰায়েলৰ সন্তান সকলক দিয়া সকলো বিধিৰ শিক্ষা তোমালোকে যেন
তেওঁলোকক দিব পাৰিবা, সেই বাবে এই বিধি তোমোলোকক দিয়া
হ'ল।" ১২ মোচিয়ে হাৰোণক আৰু তেওঁৰ অৱশিষ্ট পুত্ৰ ইলিয়াজৰ
আৰু ঈথামৰ এই দুজনক ক'লে, "যিহোৱাৰ অগ্নিকৃত উপহাৰবোৰৰ

অৱশিষ্ট ভক্ষ্য নৈবেদ্য লৈ গৈ, বেদীৰ কাষত খমীৰ নোহোৱাকৈ
ভোজন কৰিবা। কিয়নো সেয়ে অতি পবিত্ৰ। ১৩ কোনো পবিত্ৰ ঠাইত
তাক ভোজন কৰিবা; কিয়নো যিহোৱাৰ অগ্নিকৃত উপহাৰবোৰৰ
মাজত সেয়ে তুমি আৰু তোমাৰ পুত্ৰসকলে পাবলগীয়া ভাগ, কাৰণ
মই এই আজ্ঞা পালোঁ। ১৪ আৰু দোলনীয় উপহাৰ যি সোঁ ফালৰ
কৰঙনটো, তাক তুমি তোমাৰ পো-জীসকলেৰে সৈতে কোনো শুচি
ঠাইত ভোজন কৰিবা। কিয়নো ইস্ৰায়েলৰ সন্তান সকলৰ মঙ্গলাৰ্থক
বলিৰ পৰা তাক তোমাৰ আৰু তোমাৰ সন্তান সকলক পাবলগীয়া ভাগ
বুলি দিয়া হ'ল। ১৫ অগ্নিকৃত উপহাৰৰ অৰ্থে দিয়া তেলখিনিয়ে সৈতে
উত্তোলনীয় উপহাৰ যি সোঁ কৰঙন আৰু যিহোৱাৰ সন্মূখত দোলনীয়
উপহাৰৰ অৰ্থে দোলাবলৈ দোলনীয় উপহাৰৰ যি আমঠু, এইবোৰ
যিহোৱাৰ আজ্ঞাৰ দৰে আনিব লাগিব; সেয়ে তোমাৰ আৰু তোমাৰ
সন্তান সকলৰ চিৰস্থায়ী অধিকাৰ হ'ব।" ১৬ তেতিয়া মোচিয়ে পুৰুষাৰ্থ
কৰি, পাপাৰ্থক বলিদানৰ অৰ্থে দিয়া ছাগলীটো বিচাৰোতে দেখিলে
যে, তাক পুৰি ভস্ম কৰা হ'ল। গতিকে তেওঁ হাৰোণৰ অৱশিষ্ট পুত্ৰ
ইলিয়াজৰ আৰু ঈথামৰ এই দুজনলৈ ক্ৰুদ্ধ হৈ তেওঁলোকক ক'লে, ১৭
"তোমালোকে সেই পাপাৰ্থক বলি কোনো পবিত্ৰ স্থানত কিয় ভোজন
নকৰিলা? কাৰণ সেয়ে অতি পবিত্ৰ আৰু মণ্ডলীৰ অপৰাধ বৈ যিহোৱাৰ
সন্মূখত তেওঁলোকক প্ৰায়চিত্ত কৰিবৰ অৰ্থে তাক তোমালোকক দিয়া
হ'ল। ১৮ চোৱা, পবিত্ৰ স্থানৰ ভিতৰলৈ তাৰ তেজ নিয়া নহ'ল; মোৰ
আজ্ঞা অনুসাৰে তোমালোকে অৱশ্যে তাক পবিত্ৰ স্থানত ভোজন কৰিব
লাগিছিল।" ১৯ তেতিয়া হাৰোণে মোচিক ক'লে, "চোৱা, এওঁলোক
দুজনেই আজি যিহোৱাৰ উদ্দেশ্যে নিজ পাপাৰ্থক বলি আৰু নিজ
হোমবলি উৎসৰ্গ কৰিলে, তথাপি মোলৈ এনে ঘটিল; যদি মই আজি
পাপাৰ্থক বলি ভোজন কৰিলোঁহেতেন, তেন্তে যিহোৱাই তাত সন্তোষ
পালেহেঁতেন নে?" ২০ মোচিয়ে ইয়াকে শুনি সন্তুষ্ট হ'ল।

**১১** পাছত যিহোৱাই মোচি আৰু হাৰোণক ক'লে, ২ "তোমালোকে
ইস্ৰায়েলৰ সন্তান সকলক কোৱা যে, 'সকলো ভূ-চৰ পশুবোৰৰ
মাজত এইবোৰ জন্তু তোমালোকে খাব পাৰিবা। ৩ পশুবোৰৰ মাজত

যি কোনো জন্তুৰ খুৰা সম্পুৰ্ণৰূপে দুফাল আৰু ঘাঁহ পাগুলে তাক তোমালোকে খাব পাৰিবা ৪ তথাপি ঘাঁহ পাগুলা বা খুৰা দুফাল হোৱাবোৰৰ মাজত তোমালোকে কোনোমতে খাব নলগীয়া পশু এইবোৰ; উট, কিয়নো সি ঘাঁহ পাগুলে হয়, কিন্তু দুফলীয়া খুৰা থকা নহয়, সি তোমালোকৰ পক্ষে অশুচি। ৫ আৰু চাফন পশু, কিয়নো সিও ঘাঁহ পাগুলে, তথাপি দুফলীয়া খুৰা থকা নহয়, সিওঁ তোমালোকৰ পক্ষে অশুচি। ৬ শহা; কিয়নো সিও ঘাঁহ পাগুলে, কিন্তু দুফলীয়া খুৰা থকা নহয়, সি তোমালোকৰ পক্ষে অশুচি। ৭ আৰু গাহৰি: কিয়নো তাৰ খুৰা সম্পুৰ্ণৰূপে দুফাল হয় তথাপি সি ঘাঁহ নাপাগুলে, তোমালোকৰ পক্ষে সিও অশুচি। ৮ তোমালোকে সেইবোৰৰ মাংস ভোজন নকৰিবা আৰু সেইবোৰৰ শৱকো নুচুবা; সেইবোৰ তোমালোকৰ পক্ষে অশুচি। ৯ জলজন্তুবোৰৰ মাজত সমুদ্রত কি নদীত বা আন পানীত থকা জন্তুৰ মাজত, পাখি আৰু বাকলি থকা জন্তু তোমালোকে খাব পাৰিবা। ১০ কিন্তু সমুদ্রত বা নদীত থকা জলচৰবোৰৰ মাজত বা পানীত থকা সকলো প্ৰাণীৰ মাজত, যিবোৰৰ পাখি আৰু বাকলি নাই, সেইবোৰ তোমালোকৰ পক্ষে ঘিণলগা। ১১ সেইবোৰ তোমালোকৰ পক্ষে সদায় ঘিণলগা। তোমালোকে সেইবোৰৰ মাংস ভোজন নকৰিবা আৰু সেইবোৰৰ শৱকো ঘিণ কৰিবা। ১২ জলন্তুবোৰৰ মাজত যিবোৰৰ পাখি আৰু বাকলি নাই, সেই সকলোৱেই তোমালোকৰ পক্ষে ঘিণলগা। ১৩ আৰু পক্ষীবোৰৰ মাজত এইবোৰ তোমালোকে ঘিণ কৰিবা আৰু এইবোৰ নাখাবা, ঈগল, শগুণ, ১৪ মটিয়া চিলনী আৰু সকলো বিধৰ ৰঙা চিলনী; ১৫ আৰু সকলো বিধৰ কাউৰী, ১৬ বগা ফেচাঁ, লক্ষী ফেচাঁ, গঙ্গা-চিলনী আৰু সকলো বিধৰ শেন। ১৭ তোমালোকে এইবোৰকো ঘিণ কৰিবা, যেনে - ফেঁচা, মাছৰোকা আৰু হুদু, ১৮ দীঘল ডিঙীয়া হাঁহ, ঢোঁৰা কাউৰী আৰু সৰু শগুণ, ১৯ বৰটোকোলা, সকলো বিধৰ বগলী, গোবৰ খোঁচোৰা আৰু বাদুলী। ২০ চাৰি ঠেঙেৰে উৰি ফুৰা সকলো পাখি থকা জন্তু তোমালোকৰ পক্ষে ঘিণলগা। ২১ তথাপি পাখি থকা উৰি ফুৰা চাৰি ঠেঙেৰে ফুৰা জন্তুৰ মাজত, মাটিত ভৰ দি জাপ মাৰিবৰ বাবে যিবোৰৰ চাৰি ভৰিৰ ওপৰত দুটা ঠেং থাকে, সেইবোৰ

খাব পাৰিবা। ২২ আৰু সকলো বিধৰ কাকতী ফৰিং, সকলো বিধৰ খগা ফৰিং, সকলো বিধৰ উই-চিৰিঙা আৰু সকলো বিধৰ তামুলী ফৰিং, এই সকলোকে তোমালোকে খাব পাৰিবা। ২৩ কিন্তু উৰি ফুৰা সকলো চাৰি ঠেঙীয়া জন্তু তোমালোকৰ পক্ষে ঘিণ লগা। ২৪ তোমালোক এই জন্তুবোৰৰ দ্বাৰাই সন্ধিয়ালৈকে অশুচি হৈ পৰিবা, যদি কোনোৱে এইবোৰৰ শৰবোৰো স্পৰ্শ কৰে, তেৱোঁ অশুচি হ'ব। ২৫ আৰু যিকোনোৱে সেইবোৰৰ শৱ লৈ যাব, সি নিজ কাপোৰ ধুব আৰু সন্ধ্যালৈকে অশুচি হৈ থাকিব। ২৬ যিবোৰ জন্তুৰ খুৰা দুফাল হলেও সম্পুৰ্ণৰূপে দুফাল নহয় আৰু যি জন্তুৱে ঘাঁহ নাপাগুলে, সেইবোৰ তোমালোকৰ পক্ষে অশুচি। যিকোনোৱে সেইবোৰৰ শৱ চুব, তেওঁ অশুচি হ'ব। ২৭ আৰু চাৰি ঠেঙেৰে ফুৰা সকলো জন্তুৰ মাজত যিবোৰ ভৰিৰ তলুৱাৰে খোজ কাঢ়ে, সেইবোৰ তোমালোকৰ পক্ষে অশুচি। যিকোনোৱে সেইবোৰৰ শৱ চুব, তেওঁ সন্ধ্যালৈকে অশুচি হৈ থাকিব। ২৮ আৰু যিকোনোৱে সেইবোৰৰ শৱ লৈ যাব, সি নিজ বস্ত্ৰ ধুব আৰু সন্ধ্যালৈকে অশুচি হৈ থাকিব। সেইবোৰেই তোমালোকৰ পক্ষে অশুচি। ২৯ মাটিত বগাই ফুৰা সকলো বিধৰ উৰগ জন্তুৰ মাজত এইবোৰ তোমালোকৰ পক্ষে অশুচি; নেউল, এন্দুৰ, ৩০ সকলো বিধৰ গুঁই জেঠী, নাইপিয়া, তেজপিয়া, সোণগুঁই, আৰু মটিয়া গুঁই। ৩১ বগাই ফুৰা জন্তুৰ জন্তুবোৰৰ ভিতৰত এইবোৰ তোমালোকৰ পক্ষে অশুচি; সেইবোৰ মৰিলে, যি কোনোৱে সেইবোৰৰ শৱ চুব, তেওঁ সন্ধ্যালৈকে অশুচি হৈ থাকিব। ৩২ আৰু সেইবোৰৰ মাজৰ কোনো শৱ যি বস্তুৰ ওপৰত পৰিব, সিও অশুচি হ'ব; কাঠৰ পাত্ৰ বা বস্ত্ৰ বা ছাল বা মোনা, যিকোনো কামত লগা বস্তুৱেই হওক, তাক পানীত জুবুৰিয়াব লাগিব আৰু সন্ধ্যালৈকে অশুচি হৈ থাকিব আৰু তেতিয়াহে শুচি হ'ব। ৩৩ আৰু কোনো মাটিৰ পাত্ৰৰ ভিতৰত সেইবোৰৰ শৱ পৰিলে, তাৰ ভিতৰত থকা সকলো বস্তু অশুচি হ'ব আৰু তোমালোকে তাক ভাঙি পেলাবা। ৩৪ তাৰ ভিতৰত থকা পানী দি সিজোৱা সকলো খোৱা বস্তু অশুচি হ'ব আৰু তেনেকুৱা সকলো পাত্ৰত থকা সকলো প্ৰকাৰ পেয় দ্ৰব্য অশুচি হ'ব। ৩৫ আৰু এন্দুৰেই হওঁক বা চুলাই হওঁক, যিকোনো বস্তুৰ

ওপৰত সেইবোৰৰ শৱ পৰিব, সেয়ে অশুচি হ'ব; তাক ভাঙি পেলাব
লাগিব; সেইবোৰ অশুচি, তোমালোকৰ পক্ষে সেইবোৰ অশুচি হৈ
থাকিব। ৩৬ তথাপি ভুমুক বা যি নাদত অনেক পানী জমা হৈ থাকে,
সেয়ে শুচি হব; কিন্তু যি জনে সেইবোৰৰ মৰা শৱ চুব, তেওঁ অশুচি
হ'ব। ৩৭ আৰু সেইবোৰৰ শৱ যদি কোনো ববলগীয়া গুটিত পৰে,
তেন্তে সেয়ে শুচি হৈ থাকিব। ৩৮ কিন্তু গুটিৰ ওপৰত পানী দিলে,
যদি সেইবোৰৰ শৱ তাৰ ওপৰত পৰে, তেন্তে সেয়ে তোমালোকৰ
পক্ষে অশুচি। ৩৯ তোমালোকে খাব পৰা পশুৰ মাজত কোনো পশু
মৰিলে, যিকোনোৱে তাৰ শৱ চুব, সি সন্ধ্যালৈকে অশুচি হৈ থাকিব।
৪০ আৰু যিকোনোৱে তাৰ মাংস খাব, সি নিজৰ কাপোৰ ধুব আৰু
সন্ধ্যালৈকে অশুচি হৈ থাকিব। আৰু যি কোনোৱে তাৰ শৱ লৈ যাব
তেওঁ নিজ বস্ত্ৰ ধুব আৰু সন্ধ্যালৈকে অশুচি হৈ থাকিব। ৪১ আৰু মাটিত
বগাই ফুৰা প্ৰত্যেক উৰগ জন্তু ঘিণ লগা; তাক খাব নালাগে। ৪২
মাটিত বগাই ফুৰা যিকোনো জীৱজন্তু পেটেৰে যায় বা চাৰি ঠেঙেৰে
যায় বা যিবোৰৰ অধিক ভৰি থাকে, সেইবোৰ তোমালোকে নাখাবা;
কিয়নো সেইবোৰ ঘিণ লগা। ৪৩ সেই সকলো বগাই ফুৰা উৰগ আদি
জন্তুবোৰৰ দ্বাৰাই তোমালোকে নিজক অশুচি নকৰিবা আৰু অশুচি
হবলৈ সেইবোৰৰ দ্বাৰাই নিজকে অশুচি নকৰিবা। ৪৪ কাৰণ মই
তোমালোকৰ ঈশ্বৰ যিহোৱা; এই হেতুকে তোমালোকে নিজকে পবিত্ৰ
কৰি পবিত্ৰ হোৱা, কিয়নো মই পবিত্ৰ; তোমালোকে মাটিৰ ওপৰত
বগাই ফুৰা ভূ-চৰ জন্তুবোৰৰ দ্বাৰাই নিজকে অশুচি নকৰিবা। ৪৫
কিয়নো, তোমালোকৰ ঈশ্বৰ হ'বলৈ তোমালোকক মিচৰ দেশৰ পৰা
উলিয়াই অনা যিহোৱা মই; এই হেতুকে তোমালোক পবিত্ৰ হোৱা,
কাৰণ মই পবিত্ৰ। ৪৬ শুচি অশুচি বস্তুৰ আৰু খাব পৰা, খাব নোৱাৰা
জন্তু, প্ৰভেদ জন্মাবৰ বাবে, ৪৭ পশু, পক্ষী; জলচৰ আৰু বগাই ফুৰা
উৰগ আদি প্ৰাণীবোৰৰ বিষয়ে এই নিয়ম'।"

**১২** পাছত যিহোৱাই মোচিক ক'লে, ২ "তুমি ইস্ৰায়েলৰ সন্তানসকলক
কোৱা বোলে, 'কোনো এগৰাকী মহিলাই প্ৰসৱ কৰিলে, যদি তাইৰ
ল'ৰা হয়, তেতিয়া তাই সাতদিন অশুচি হৈ থাকিব; তাইৰ মাহেকীয়া

অশৌচৰ কালৰ দৰেই অশুচিতাৰ দৰেই তাই অশুচি হৈ থাকিব। ৩
পাছত অষ্টম দিনা ল’ৰাটিৰ লিঙ্গাগ্ৰ-চৰ্ম ছেদন কৰা হ’ব। ৪ আৰু সেই
মহিলা গৰাকীৰ ৰক্তস্ৰাৱৰ পৰা শুচি হ’বৰ অৰ্থে তাই তেত্ৰিশ দিন
ৰখিব লাগিব; ৰক্তস্ৰাৱৰ অৱস্থাৰ পৰা শুচি নোহোৱালৈ তাই কোনো
পবিত্ৰ বস্তু নুচুব আৰু ধৰ্মধামত নোসোমাব। ৫ যদি তাইৰ ছোৱালী
হয়, তেতিয়া তাইৰ মাহেকীয়া অশৌচৰ কালৰ দৰে দুসপ্তাহ অশুচি হৈ
থাকিব; আৰু ৰক্তস্ৰাৱৰ পৰা শুচি হ’বৰ কাৰণে তাইক ছয়ষষ্টি দিন
ৰখিব লাগিব। ৬ পাছত যেতিয়া তাইৰ ৰক্তস্ৰাৱৰ পৰা শুচি হোৱা
দিনবোৰ পুৰ হ’ব, তেতিয়া তাইৰ ল’ৰা বা ছোৱালীৰ অৰ্থে তাই হোম-
বলিৰ এটা এবছৰীয়া মেৰ-ছাগ পোৱালি, আৰু পাপাৰ্থক বলিৰ কাৰণে
এটা পাৰ পোৱালি বা এটা কপৌ সাক্ষাৎ কৰা তম্বুৰ দুৱাৰ-মুখলৈ
পুৰোহিতৰ ওচৰলৈ আনিব। ৭ তেতিয়া পুৰোহিত জনে যিহোৱাৰ
সন্মুখত তাক উৎসৰ্গ কৰি, সেই মহিলা গৰাকীক প্ৰায়চিত্ত কৰিব;
তেতিয়া তাই নিজ ৰক্তস্ৰাৱৰ পৰা শুচি হ’ব। ল’ৰা বা ছোৱালী প্ৰসৱ
কৰা মহিলাসকলৰ কাৰণে এই নিয়ম। ৮ যদি তাই মেৰ-ছাগ পোৱালি
আনিবলৈ অসমৰ্থ হয়, তেতিয়া তাই দুটা কপৌ বা দুটা পাৰ পোৱালি
লৈ, তাৰ এটা হোমৰ অৰ্থে, আনটো পাপাৰ্থক বলিৰ অৰ্থে দিব, আৰু
পুৰোহিতে তাইক প্ৰায়চিত্ত কৰিব; তেতিয়া তাই শুচি হ’ব’।”

**১৩** পাছত যিহোৱাই মোচি আৰু হাৰোণক ক’লে, ২ “যদি কোনো
এজন লোকৰ গাৰ ছাল উখহি উঠে, বা চোকোৰা বান্ধি উঠে, বা
জিলিকা দাগ হয়, আৰু সেয়ে যদি গাৰ ছালত কুষ্ঠৰোগৰ ঘা হৈ যায়,
তেতিয়া তেওঁক হাৰোণ পুৰোহিত বা তেওঁৰ পুত্ৰ পুৰোহিতসকলৰ
মাজৰ এজনৰ ওচৰলৈ অনা হ’ব। ৩ তেতিয়া পুৰোহিত জনে তেওঁৰ
গাৰ ছালত থকা সেই ঘাটো চাব; যদি সেই ঘাৰ নোম বগা হৈ উঠে,
আৰু ঘা যদি গাৰ ছালতকৈ দ যেন বোধ হয়, তেতিয়া সেই ঘা
কুষ্ঠৰোগৰ ঘা; তেওঁৰ সেই ঘা চোৱাৰ পাছত পুৰোহিতে তেওঁক অশুচি
বুলি জনাব। ৪ আৰু যদি তেওঁৰ সেই জিলিকা দাগ ঘাৰ ছালত বগা
হয়, কিন্তু ছালতকৈ দ যেন বোধ নহয়, আৰু তেওঁৰ ঘাৰ নোম বগা হৈ
যোৱা নাই, তেতিয়া সেই ঘা হোৱা লোক জনক পুৰোহিতে সাতদিন

আতৰ কৰি ৰাখিব। ৫ পাছত সপ্তম দিনা পুৰোহিত জনে সেই ঘা
হোৱা লোকজনক চাই যদি তেওঁৰ দৃষ্টিত ঘা সেই একেদৰে থাকে বা
ছালত ব্যাপি যোৱা নাই, তেতিয়া পুৰোহিত জনে তেওঁক আকৌ সাত
দিনলৈ আতৰত ৰাখিব। ৬ আৰু সপ্তমদিনা পুৰোহিত জনে তেওঁক
আকৌ চাব; তেতিয়া যদি সেই ঘা শুকাবলৈ ধৰে, আৰু ছালত যদি
বিয়পি যোৱা নেদেখে, তেতিয়া পুৰোহিতে তেওঁক শুচি বুলি জনাব;
সেয়ে কেৱল চোকোৰা বন্ধা ঘা হে; পাছত তেওঁ নিজ বস্ত্ৰ ধুই শুচি
হ'ব। ৭ কিন্তু তেওঁৰ শুচিৰ অৰ্থে নিজকে পুৰোহিতক দেখুউৱাৰ পাছত
যদি সেই চোকোৰা বন্ধা ঘা ছালত বিয়পি যায়, তেতিয়া তেওঁ পুনৰায়
নিজকে পুৰোহিতক দেখুৱাব লাগিব। ৮ তেতিয়া পুৰোহিতে সেই
ঘা চাই যদি তেওঁৰ চোকোৰা বন্ধা ঘা ছালত বিয়পি যোৱা দেখে,
তেতিয়া তেওঁ লোকজনক অশুচি বুলি জনাব; সেয়ে কুষ্ঠৰোগ। ৯
কোনো এজন লোকৰ কুষ্ঠৰোগৰ ঘা হ'লে, তেওঁক পুৰোহিতৰ ওচৰলৈ
অনা হ'ব। ১০ তেতিয়া পুৰোহিতে তেওঁক চাব; যদি তেওঁৰ ছালত
বগা ধৰণৰ টেমুনা বান্ধে, আৰু তাৰ দ্বাৰাই তাৰ নোম বগা হৈ উঠে,
আৰু সেই টেমুনাত কেঁচা মঙহ থাকে, ১১ তেতিয়া তেওঁৰ গাৰ ছালত
সেয়ে পুৰণি কুষ্ঠৰোগ; তাতে পুৰোহিতে তেওঁক অশুচি বুলি জনাব;
তেওঁ সেই লোকজনক আতৰত নাৰাখিব, কিয়নো তেওঁ আগৰে
পৰা অশুচি। ১২ যদি ছালৰ সকলোতে সেই কুষ্ঠৰোগ ব্যাপি যায়,
আৰু পুৰোহিতৰ যিমানলৈকে চকু পৰে, সিমানলৈকে সেই ঘা থকা
লোকজনৰ মূৰৰ পৰা ভৰিলৈকে গোটেই ছাল কুষ্ঠৰোগেৰে ঢাকে,
১৩ তেতিয়া তেওঁৰ গোটেই গা কুষ্ঠৰোগেৰে ঢকা দেখি, পুৰোহিতে
সেই ঘা থকা লোকজনক শুচি বুলি ক'ব; তেওঁৰ গোটেই গা বগা
হোৱাত তেওঁ শুচি। ১৪ কিন্তু যেতিয়া সেই ঘাত কেঁচা মঙহ দেখা যায়,
তেতিয়া তেওঁ অশুচি হ'ব। ১৫ তেতিয়া পুৰোহিতে সেই কেঁচা মঙহ
দেখি, তেওঁক অশুচি বুলি ক'ব, কিয়নো সেই কেঁচা মঙহ অশুচি;
সেয়ে কুষ্ঠৰোগ। ১৬ আৰু সেই কেঁচা মঙহ যদি পুনৰায় বগা হৈ যায়,
তেতিয়া তেওঁ পুৰোহিতৰ ওচৰলৈ যাব। ১৭ তেতিয়া পুৰোহিতে সেই
লোকজনৰ বগা হৈ উঠা ঘাটো চাব, আৰু যদি সেই ঘা বগা হোৱা

দেখে, তেতিয়া পুৰোহিতে সেই ঘা থকা লোকজনক শুচি বুলি ক'ব।
১৮ আৰু গাৰ ছালত ফোঁহোৰা হৈ ভাল হোৱাৰ পাছত, ১৯ যদি সেই
ফোঁহোৰাৰ ঠাইত বগা বৰণৰ টেমুনা বান্ধে, বা বগা আৰু অলপ ৰঙা
বৰণৰ জিলিকা দাগ হয়, তেতিয়া তাক পুৰোহিতক দেখুউৱা হ'ব। ২০
তেতিয়া পুৰোহিতে তাক চাব; যদি সেয়ে ছালতকৈ দ যেন বোধ হয়,
আৰু তাৰ নোম বগা হৈ গ'ল, তেতিয়া পুৰোহিতে তেওঁক অশুচি বুলি
ক'ব; সেয়ে ফোঁহোৰাত ওলোৱা কুষ্ঠৰোগৰ ঘা। ২১ কিন্তু পুৰোহিতে
তাক চাই যদি বগা নোম নেদেখে, আৰু সেয়ে ছালতকৈ দ নহয়, কিন্তু
শুকাই গৈছে, তেতিয়া পুৰোহিতে তেওঁক সাত দিন আতৰত ৰাখিব।
২২ পাছত সেয়ে যদি ছালত বিয়পি যায়, তেন্তে পুৰোহিতে তেওঁক
অশুচি বুলি ক'ব; সেয়ে কুষ্ঠ ৰোগৰ ঘা। ২৩ কিন্তু যদি সেই জিলিকা
দাগ নিজ ঠাইতে থাকে, আৰু বিয়পি নাযায়, তেন্তে সেয়ে ফোঁহোৰাৰ
দাগ মাত্ৰ; আৰু পুৰোহিতে তেওঁক শুচি বুলি ক'ব। ২৪ যদি গাৰ ছালত
পোৰা দাগ হয়, আৰু সেই দাগৰ নতুন ছালৰ ৰঙচুৱা বগা বা শুদ্ধ বগা
বা জিলিকা দাগ হয়, ২৫ তেন্তে পুৰোহিতে তাক চাব; যদি জিলিকা
দাগত থকা নোম বগা হৈ গ'ল, আৰু আন ছালতকৈ দ যেন দেখা যায়,
তেতিয়া সেয়ে জুইয়ে পোৰা দাগত ওলোৱা কুষ্ঠ ৰোগ; পুৰোহিতে
তাক অশুচি বুলি ক'ব, কিয়নো সেয়ে কুষ্ঠ ৰোগৰ ঘা। ২৬ কিন্তু যদি
পুৰোহিতে চাই জিলিকা দাগত বগা নোম নেদেখে, আৰু সেই দাগ
ছালতকৈ দ নহয়, কিন্তু শুকাই গ'ল, তেতিয়া পুৰোহিতে তেওঁক সাত
দিন আতৰত ৰাখিব। ২৭ পাছত সপ্তম দিনা পুৰোহিতে তেওঁক চাব;
তেতিয়া যদি ছালত সেয়ে বিয়পি যায়, তেন্তে পুৰোহিতে তেওঁক অশুচি
বুলি ক'ব; সেয়ে কুষ্ঠ ৰোগৰ ঘা। ২৮ আৰু যদি সেই জিলিকা দাগ নিজ
ঠাইতে থাকে, আৰু ছালত ব্যাপি নাযায়, কিন্তু শুকাই যায়, তেন্তে সেয়ে
পোৰা ঠাইত উঠা টেমুনা মাথোন; আৰু পুৰোহিতে তেওঁক শুচি বুলি
ক'ব, কিয়নো সেয়ে জুইয়ে পোৰা ঘাৰ দাগহে মাথোন। ২৯ কোনো
পুৰুষ বা স্ত্ৰীৰ মূৰত বা থুঁতৰিৰ তলত ঘা হ'লে, ৩০ পুৰোহিতে সেই ঘা
চাব; সেয়ে যদি ছালতকৈ দ যেন বোধ হয়, আৰু তাত হালধীয়া মিহি
নোম থাকে তেন্তে পুৰোহিতে তেওঁক অশুচি বুলি ক'ব; সেয়ে খজুৱা

ৰোগ; মূৰৰ চুলি বা দাড়ি সৰা কুষ্ঠ ৰোগ। ৩১ আৰু পুৰোহিতে সেই
খজুৱা চুলি বা দাড়ি সৰা ৰোগৰ ঘা চালে, যদি সেয়ে ছালতকৈ দ যেন
বোধ নহয়, আৰু তাত ক'লা নোম নাথাকে, তেন্তে পুৰোহিতে সেই চুলি
কি দাড়ি সৰা ৰোগ থকা লোকজনক সাতদিন আতৰ কৰি ৰাখিব।
৩২ পাছত পুৰোহিতে সপ্তম দিনা সেই ঘা চাব; যদি সেই ঘা বিয়পি
যোৱা নাই, আৰু তাত হালধীয়া নোম নাই, আৰু ছালতকৈ ঘাৰ ছাল দ
যেন বোধ নহয়, ৩৩ তেন্তে সেই ঘাৰ কাষৰ চৰিওফালে থকা চুলি
খুৰুউৱা হ'ব, কিন্তু ঘা থকা ঠাইডোখৰ নুখুৰাব; তেতিয়া পুৰোহিতে
সেই খজুৱা ঘা থকা লোকজনক আৰু সাতদিন আতৰ কৰি ৰাখিব। ৩৪
পাছত সপ্তমদিনা পুৰোহিতে সেই ঘা চাব; তাতে, যদি সেই ঘা ছালত
ব্যাপি যোৱা নাই, আৰু ছালতকৈ দ যেন বোধ নহয়, তেন্তে পুৰোহিতে
তেওঁক শুচি বুলি ক'ব; পাছত সেই লোকজনে নিজ বস্ত্ৰ ধুই শুচি হ'ব।
৩৫ কিন্তু পুৰোহিতে শুচি কৰোঁৱাৰ পাছত, যদি তেওঁৰ ছালত সেই ঘা
ব্যাপি যায়, ৩৬ তেন্তে পুৰোহিতে তেওঁক পুনৰায় চাব; যদি তেওঁৰ
ছালত সেই ঘা ব্যাপি যোৱা দেখে, তেন্তে পুৰোহিতে হালধীয়া নোম
নিবিচাৰিব; সেই লোকজন অশুচি। ৩৭ কিন্তু তেওঁৰ দৃষ্টিত যদি সেই
ঘা একেদৰে থাকে, আৰু তাৰ মাজত ক'লা নোম গজে, তেন্তে সেই
ৰোগ ভাল হ'ল; তেওঁ শুচি; আৰু পুৰোহিতে তেওঁক শুচি বুলি ক'ব।
৩৮ আৰু যদি কোনো পুৰুষ বা স্ত্ৰীৰ গাৰ ছালত ঠায়ে ঠায়ে বগা দাগ
হয়, ৩৯ তেন্তে পুৰোহিতে সেই লোকজনক চাব; যদি তেওঁৰ ছালত
হোৱা জিলিকা দাগবোৰ গোম বৰণীয়া বগা হয়, তেন্তে সেয়ে ছালত
উৎপন্ন হোৱা এবিধ ফোঁহা; আৰু তেওঁ শুচি। ৪০ আৰু যদি কোনো
মানুহৰ মূৰৰ চুলি সৰি যায়, তেন্তে তেওঁ টকলা মূৰা; কিন্তু তেওঁ শুচি।
৪১ আৰু যদি তেওঁৰ মূৰৰ আগফালৰ চুলি সৰি যায় আৰু টপা; তেৰোঁ
শুচি। ৪২ কিন্তু যদি তেওঁৰ টকলা বা টপা মূৰত ৰঙচীয়া বগা ঘা হয়,
তেন্তে সেয়ে তাৰ টকলা মূৰত বা টপা মূৰত হোৱা কুষ্ঠ ৰোগ। ৪৩
তেতিয়া পুৰোহিতে তেওঁক চাব; যদি গাৰ ছালত হোৱা কুষ্ঠ ৰোগৰ
দৰে তেওঁৰ টকলা বা টপা মূৰত সেই ঘা দমলা ৰঙচীয়া বগা হয়, ৪৪
তেন্তে তেওঁ কুষ্ঠ ৰোগী আৰু অশুচি; অৱশ্যে পুৰোহিতে তেওঁক অশুচি

বুলি ক’ব; তাৰ কুষ্ঠৰোগৰ ঘা তেওঁৰ মূৰতে আছে। ৪৫ যি কুষ্ঠৰোগীৰ গাত কুষ্ঠৰোগৰ ঘা থাকে, তেওঁ ফলা বস্ত্র পিন্ধিব, আৰু তেওঁৰ মূৰৰ চুলি মুকলিকৈ ৰখা হ’ব, আৰু তেওঁ নিজৰ ওপৰ ওঁঠ ঢাকিব, আৰু ‘অশুচি, অশুচি,’ বুলি চিঞৰিব। ৪৬ যিমান দিন তেওঁৰ গাত সেই কুষ্ঠৰোগ ঘা থাকিব, সিমান দিন তেওঁ অশুচি হৈ থাকিব; তেওঁ অশুচি হোৱাত আৰু তেওঁৰ সেই ৰোগ যেন ব্যাপি নাযায় সেই কাৰণে তেওঁ অকলে থাকিব; তেওঁৰ থকা ঠাই ছাউনিৰ বাহিৰত হ’ব। ৪৭ আৰু নোমৰ কি শণ সুতাৰ এটা বস্ত্রত, কুষ্ঠৰোগৰ কোনো দাগ থাকিলে ৪৮ বা শণৰ কি নোমৰ দীঘ সুতা বা বাণী সুতাত, বা কোনো ছালত, কি ছালেৰে সজা ৪৯ কোনো বস্ত্রত, বস্ত্র বা ছালত, বা দীঘ সুতাত বা বাণী সুতাত, বা ছালৰ কোনো বস্ত্রত থকা সেই দাগ যদি অলপ কেঁচা বৰণীয়া বা ৰঙচুৱা হয়, তেন্তে সেয়ে কুষ্ঠৰোগ দাগ, তাক পুৰোহিতক দেখুউৱা যাব। ৫০ পাছত পুৰোহিতে সেই দাগ চাই, দাগ থকা বস্তুটো সাতদিন আতৰ কৰি ৰাখিব। ৫১ পাছত সপ্তমদিনা পুৰোহিতে সেই দাগ চাই যদি কাপোৰত, বা দীঘ সুতা কি বাণী সুতাত, বা কোনো কামৰ কাৰণে ব্যৱহাৰ কৰা ছালত সেই দাগ ব্যাপি যোৱা দেখে, তেন্তে সেই দাগ সংহাৰক কুষ্ঠৰোগৰ দাগ; সেয়ে অশুচি বস্তু। ৫২ এই কাৰণে যি বস্ত্রত, বা নোমৰ যি শণ বা যি দীঘ সুতাত বা বাণী সুতাত, বা ছালেৰে সজা যি বস্ত্রত সেই দাগ হয়, তাক পুৰি ভস্ম কৰিব; কিয়নো সেয়ে সংহাৰক কুষ্ঠ; তাক সম্পূৰ্ণৰূপে জুইত পুৰি ভস্ম কৰা হ’ব। ৫৩ কিন্তু পুৰোহিতে চাই যদি সেই দাগ কাপোৰত, বা দীঘ সুতাত কি বাণী সুতাত, বা ছালৰ কোনো বস্ত্রত সেই দাগ ব্যাপি যোৱা নেদেখে, ৫৪ তেতিয়া পুৰোহিতে সেই দাগ থকা বস্তুটো ধুবলৈ আজ্ঞা দিব; পাছত আৰু সাতদিন সেই বস্তুটো আতৰত ৰাখিব। ৫৫ সেই দাগ থকা বস্তু ধোৱাৰ পাছত পুৰোহিতে সেই দাগ চাব; আৰু সেই দাগ ব্যাপি নগলেও যদি আন বৰণ ধৰা নাই, তেন্তে সেয়ে অশুচি; যি ঠাইতে সেই দাগে বস্তুটোক অশুচি নকৰক, তুমি তাক জুইত পুৰি ভস্ম কৰিবা। ৫৬ কিন্তু ধোৱাৰ পাছত পুৰোহিতে চাই যদি সেই দাগ গোমা দেখে, তেন্তে তেওঁ সেই বস্ত্রৰ পৰা, বা ছালৰ পৰা, বা দীঘ সুতা বা বাণী সুতাৰ পৰা

তাক চিঙি পেলাব। ৫৭ তথাপিও যদি সেই বস্ত্রত, বা দীঘ সুতা কি বাণী
সুতাত, বা ছালেৰে সজা কোনো বস্ত্রত তাক পুনৰাই দেখা যায়, তেন্তে
সেয়ে ব্যাপি যোৱা কুষ্ঠ; সেই দাগ থকা যিয়ে বস্তু তুমি তাক জুইত পুৰি
ভস্ম কৰিবা। ৫৮ আৰু ধোৱাৰ পাছত সেই দাগ বস্ত্রৰ পৰা বা দীঘ
সুতা কি বাণী সুতাৰ পৰা, বা ছালৰ কোনো বস্তুৰ পৰা এৰাই, তেন্তে
দ্বিতীয়বাৰ তাক ধোৱা হ'ব; তেতিয়া সেয়ে শুচি হব। ৫৯ নোমৰ বা শণ
সুতাৰ বস্ত্রত, বা দীঘ সুতা কি বাণী সুতাত বা ছালৰ কোনো বস্তুত
হোৱা কুষ্ঠ ৰোগৰ দাগৰ বিষয়ে শুচি অশুচি বুলি কোৱা নিয়ম এই।"

**১৪** পাছত যিহোৱাই মোচিক ক'লে, ২ "কুষ্ঠৰোগী লোক জন সুস্থ
হোৱাৰ দিনা তেওঁৰ শুচি হোৱা নিয়ম এই; তেওঁক পুৰোহিতৰ ওচৰলৈ
অনা হ'ব। ৩ তেতিয়া পুৰোহিতে ছাউনিৰ বাহিৰলৈ ওলাই গৈ সেই
কুষ্ঠৰোগী জনৰ কুষ্ঠৰোগ যদি সুস্থ হৈছে, তেনেহলে সেই বিষয়ে তেওঁ
লক্ষ্য কৰিব। ৪ তেতিয়া পুৰোহিতে সেই শুচি কৰিব লগা লোকজনৰ
কাৰণে দুটা জীয়া শুচি চৰাই, এডোখৰ এৰচ কাঠ, অলপ ৰঙা নোম,
আৰু একোচা এচোব বন, এই সকলোকে লবলৈ আজ্ঞা দিব। ৫ আৰু
পুৰোহিত জনে তেওঁক মাটিৰ পাত্রত থোৱা নিৰ্মল পানীৰ ওপৰত সেই
দুটা চৰাইৰ এটাক কাটিবলৈ আজ্ঞা কৰিব। ৬ তাৰ পাছত তেওঁ জীয়া
চৰাইটো, এৰচ কাঠডোখৰ আৰু এচোব বন কোচা, এই সকলোকে লৈ
সেই নিৰ্মল পানীৰ ওপৰত কটা চৰাইটোৰ তেজত জীয়া চৰাইটোৰে
সৈতে জুবুৰিয়াই দিব। ৭ তেতিয়া কুষ্ঠ ৰোগৰ পৰা শুচি হ'বলগীয়া
লোক জনৰ ওপৰত সাতবাৰ এই পানী ছটিয়াব, আৰু তেওঁক শুচি বুলি
ঘোষণা কৰিব। তাৰ পাছত পুৰোহিত জনে জীয়া চৰাইটো মুকলি
পথাৰত উৰুৱাই দিব। ৮ আৰু সেই শুচি হ'বলগীয়া লোক জনে নিজ
বস্ত্র ধুই, চুলি দাড়ি আদি গাৰ আটাই নোম খুৰাই পানীত গা ধুব আৰু
তাৰ পাছত তেওঁ শুচি হ'ব। এই বোৰ কৰাৰ পাছত তেওঁ ছাউনিত
সোমাব, কিন্তু তেওঁ সাত দিন নিজ তম্বুৰ বাহিৰত থাকিব লাগিব।
৯ পাছত সপ্তম দিনা তেওঁ নিজ মূৰৰ চুলি, দাড়ি, চেলাউৰি আদি
গোটেই গাৰ নোম খুৰাব, আৰু নিজ বস্ত্র ধুই, নিজেও পানীত গা ধুব;
তেতিয়া তেওঁ শুচি হ'ব। ১০ অষ্টম দিনা তেওঁ দুটা নঘূণ মতা মেৰ-

ছাগ পোৱালি, এজনী এবছৰীয়া নিঘূণ চেঁউৰী মেৰ-ছাগ পোৱালি,
ভক্ষ্য নৈবেদ্যৰ অৰ্থে তেল মিহলোৱা আটা গুড়ি ঐফাৰ দহ ভাগৰ
তিনিভাগ, আৰু এক "লোগ" তেল ল'ব। ১১ তাৰ পাছত শুচি কৰোঁতা
পুৰোহিত জনে, সেই শুচি হ'বলগীয়া লোক জনক আৰু সেই বস্তুবোৰ
লৈ সাক্ষাৎ কৰা তম্বুৰ দুৱাৰৰ ওচৰত যিহোৱাৰ সন্মুখত ৰাখিব। ১২
পাছত পুৰোহিত জনে সেই মেৰ-ছাগ পোৱালি দুটাৰ এটা পোৱালি,
সেই এক "লোগ" তেলেৰে সৈতে দোষাৰ্থক বলি স্বৰূপে উৎসৰ্গ কৰিব,
আৰু দোলনীয় নৈবেদ্যৰ অৰ্থে সেইবোৰ যিহোৱাৰ সন্মুখত তুলি দিব।
১৩ আৰু যি ঠাইত পাপাৰ্থক বলি আৰু হোম-বলি কটা যায়, পবিত্ৰ স্থানৰ
সেই ঠাইতে সেই মেৰ-ছাগৰ পোৱালিটো কাটিব লাগিব, কিয়নো
সেই দোষাৰ্থক বলি পুৰোহিতৰ ভাগ, আৰু সেয়ে অতি পবিত্ৰ। ১৪
পুৰোহিতে সেই দোষাৰ্থক বলিৰ কিছু তেজ লৈ, সেই শুচি হবলগীয়া
মানুহটোৰ সোঁ কাণৰ মুৰত, সোঁ হাতৰ বুঢ়া আঙুলিত আৰু সোঁ ভৰিৰ
বুঢ়া আঙুলিত লগাই দিব। ১৫ তাৰ পাছত পুৰোহিতে সেই "লোগ"
তেলৰ কিছু লৈ নিজৰ বাওঁহাতৰ তলুৱাত ঢালিব; ১৬ আৰু সেই
বাওঁ হাতৰ তলুৱাত থকা তেলত নিজ সোঁহাতৰ আঙুলি জুবুৰিয়াই,
আঙুলিৰে সেই তেলৰ পৰা অলপ অলপকৈ যিহোৱাৰ সন্মুখত সাতবাৰ
ছটিয়াব। ১৭ পুৰোহিতে নিজৰ হাতৰ তলুৱাত থকা অৱশিষ্ট তেলৰ
কিছু লৈ, শুচি হ'বলগীয়া লোক জনৰ সোঁ কাণৰ মূৰত, সোঁ হাতৰ বুঢ়া
আঙুলিত আৰু সোঁ ভৰিৰ বুঢ়া আঙুলিত পুৰ্বে দিয়া দোষাৰ্থক বলিৰ
তেজৰ ওপৰত লগাই দিব। ১৮ পুৰোহিতে নিজৰ হাতৰ তলুৱাত থকা
অৱশিষ্ট তেল খিনি সেই শুচি হ'বলগীয়া লোক জনৰ মূৰত দিব, আৰু
পুৰোহিতে যিহোৱাৰ সন্মুখত তেওঁক প্ৰায়চিত্ত কৰিব। ১৯ তাৰ পাছত
পুৰোহিতে পাপাৰ্থক বলিটো উৎসৰ্গ কৰিব, আৰু সেই শুচি হ'বলগীয়া
লোকজনৰ অশৌচৰ কাৰণে তেওঁক প্ৰায়চিত্ত কৰিব; তাৰ পাছত
হোমবলিটো কাটিব। ২০ যেতিয়া পুৰোহিতে হোমবলিটো আৰু ভক্ষ্য
নৈবেদ্য খিনি বেদীত উৎসৰ্গ কৰিব, তেতিয়া পুৰোহিতে সেই ব্যক্তিক
প্ৰায়শ্চিত্ত কৰিব আৰু তেওঁ তেতিয়া শুচি হ'ব। ২১ কিন্তু যদি সেই
লোক জন দৰিদ্ৰ হয়, আৰু এই সকলো বলি আনিবলৈ তেওঁৰ সমৰ্থ

নাথাকে, তেতিয়া তেওঁ নিজৰ কাৰণে প্ৰায়চিত্ত কৰিবলৈ দোলনীয় নৈবেদ্যৰ অৰ্থে দোষাৰ্থক বলি স্বৰূপে এটা মতা মেৰ-ছাগ পোৱালি, ভক্ষ্য নৈবেদ্যৰ অৰ্থে তেল মিহলোৱা আটাগুড়িৰ ঐফাৰ দহভাগৰ এভাগ এক "লোগ" তেল, ২২ আৰু নিজৰ সমৰ্থ অনুসাৰে দুটা কপৌ বা দুটা পাৰ পোৱালি আনিব; তাৰে এটা পাপাৰ্থক বলি আৰু আনটো হোমবলি হ'ব। ২৩ পাছত অষ্টম দিনা, তেওঁ নিজকে শুচি কৰিবৰ অৰ্থে সাক্ষাৎ কৰা তম্বুৰ দুৱাৰ-মুখলৈ যিহোৱাৰ সন্মুখত পুৰোহিতৰ ওচৰলৈ সেইবোৰ আনিব। ২৪ তেতিয়া পুৰোহিতে দোষাৰ্থক বলিৰ কাৰণে সেই মেৰ-ছাগ পোৱালিটো আৰু সেই "লোগ" তেল লৈ, যিহোৱাৰ সন্মুখত দোলনীয় নৈবেদ্যৰ অৰ্থে তুলি দিব। ২৫ পাছত তেওঁ সেই দোষাৰ্থক বলিৰ মেৰ-ছাগ পোৱালিটো কাটিব লাগিব; পুৰোহিতে সেই দোষাৰ্থক বলিৰ কিছু তেজ লৈ, শুচি হ'বলগীয়া লোকজনৰ সোঁ কাণৰ মূৰত, সোঁ হাতৰ বুঢ়া আঙুলিত আৰু সোঁ ভৰিৰ বুঢ়া আঙুলিত লগাই দিব। ২৬ তাৰ পাছত পুৰোহিতে সেই তেলৰ অলপ নিজৰ বাওঁ হাতৰ তলুৱাত বাকিব, ২৭ আৰু পুৰোহিতে সোঁ আঙুলিৰে বাওঁ হাতৰ তলুৱাত থকা সেই তেল অলপ অলপকৈ সাতবাৰ যিহোৱাৰ সন্মুখত ছটিয়াব। ২৮ আৰু পুৰোহিতে নিজৰ হাতৰ তলুৱাত থকা তেলৰ কিছু লৈ, শুচি হ'ব লগীয়া লোক জনৰ সোঁ কাণৰ মূৰত, সোঁ হাতৰ বুঢ়া আঙুলিত আৰু সোঁ ভৰিৰ বুঢ়া আঙুলিত পুৰ্বে দিয়া সেই দোষাৰ্থক বলিৰ তেজ থকা সেই একে ঠাইবোৰৰ ওপৰত লগাই দিব। ২৯ আৰু শুচি হ'বলগীয়া লোক জনক যিহোৱাৰ সন্মুখত প্ৰায়চিত্ত কৰিবলৈ, পুৰোহিতে নিজৰ হাতত থকা অৱশিষ্ট তেল খিনি তেওঁৰ মূৰত দিব। ৩০ পাছত সেই লোক জনৰ সমৰ্থ অনুসাৰে অনা সেই কপৌ দুটাৰ বা পাৰ পোৱলি দুটাৰ মাজৰ এটা উৎসৰ্গ কৰিব; ৩১ অৰ্থাৎ সেই দুটাৰ এটা পাপাৰ্থক বলি আনটো হোম-বলিস্বৰূপে আৰু সেই ভক্ষ্য নৈবেদ্যখিনিয়ে সৈতে উৎসৰ্গ কৰিব। তাৰ পাছত পুৰোহিতে শুচি হ'ব লগীয়া লোক জনক যিহোৱাৰ সন্মুখত প্ৰায়চিত্ত কৰিব। ৩২ কুষ্ঠৰোগৰ ঘা থকা যি লোক জনে নিজকে শুচি কৰা সময়ত নিয়মিত বলিদান আদি দিবলৈ অসমৰ্থ, তাৰ এই নিয়ম।" ৩৩ পাছত যিহোৱাই মোচি আৰু হাৰোণক ক'লে,

৩৪ “মই যি দেশ অধিকাৰ অৰ্থে তোমালোকক দিম, সেই কনান দেশত
তোমালোকে যেতিয়া সোমাবা, তোমালোকে অধিকাৰ কৰা সেই দেশৰ
কোনো এটা ঘৰত যদি মই কুষ্ঠৰোগৰ দাগ উৎপন্ন কৰোঁ,
৩৫ তেতিয়া
সেই ঘৰৰ গৰাকীয়ে আহি পুৰোহিতক জনাব। তেওঁ এই বুলি ক’ব
যে, ‘মই মোৰ ঘৰত কুষ্ঠ ৰোগৰ দাগ যেন দেখিছোঁ’।
৩৬ তেতিয়া
ঘৰৰ সকলো বস্তু যেন অশুচি নহয় এই কাৰণে, সেই দাগ চাবলৈ
পুৰোহিতে ঘৰ সোমোৱাৰ পুৰ্বেই ঘৰ খালী কৰিবলৈ তেওঁলোকক
আজ্ঞা কৰিব; তাৰ পাছত পুৰোহিতে ঘৰটো চাবলৈ সোমাব।
৩৭ তেওঁ
সেই দাগৰ বিষয়ে চাব; যদি সেই দাগ ঘৰৰ দেৱালত অলপ কেঁচা
বৰণীয়া বা ৰঙচীয়া চকলা-চকলী হয় আৰু দেৱালতকৈ দ যেন বোধ
হয়,
৩৮ আৰু যদি সঁচাকৈ সেই ঘৰত কুষ্ঠ ৰোগৰ দাগ আছে, তেতিয়া
পুৰোহিতে ঘৰৰ পৰা দুৱাৰ-মুখলৈ ওলাই সাতদিন সেই ঘৰ বন্ধ কৰি
ৰাখিব।
৩৯ সপ্তমদিনা পুৰোহিতে পুনৰায় আহি সেই ঘৰৰ দেৱালত
সেই দাগ বিয়পি যোৱা বিষয়ে চাব;
৪০ আৰু এনে যদি হয়, তেনেহলে
মানুহে যেন সেই দাগ থকা শিলবোৰ উলিয়াই নগৰৰ বাহিৰত অশুচি
ঠাইত পেলাই দিয়ে, পুৰোহিতে এনে আজ্ঞা কৰিব।
৪১ পাছত সেই
ঘৰৰ ভিতৰৰ চাৰিওফালৰ দেৱাল তেওঁ চোঁচাই পেলোব লাগিব, আৰু
চুঁচি পেলোৱাৰ কৰালবোৰ তেওঁলোকে নগৰৰ বাহিৰত সেই অশুচি
ঠাইত পেলাব লাগিব।
৪২ তেওঁলোকে আন শিল লৈ সেই শিলৰ ঠাইত
বহুৱাব, আৰু নতুন কৰাল লৈ পুনৰায় সেই ঘৰ লিপিব।
৪৩ এইদৰে
শিল উলিওৱা আৰু ঘৰ চোঁচা আৰু লিপাৰ পাছত, যদি পুনৰায় ঘৰত
সেই দাগ ওলাই,
৪৪ তেতিয়া পুৰোহিতে আহি চাব আৰু যদি সেই
ঘৰত দাগ ব্যাপি যোৱা দেখে, তেনেহলে সেই ঘৰত সংহাৰক কুষ্ঠ
আছে; আৰু সেই ঘৰখন অশুচি।
৪৫ তেতিয়া সেই ঘৰ ভাঙি পেলোৱা
হ’ব। তাৰ শিল, কাঠ আৰু কৰাল আদি সকলোকে নগৰৰ বাহিৰলৈ
সেই অশুচি ঠাইলৈ লৈ যাব।
৪৬ তদুপৰি সেই ঘৰ বন্ধ থকাত যদি
কোনো লোকে তাৰ ভিতৰত সোমাব, তেওঁ সন্ধ্যালৈকে অশুচি হৈ
থাকিব।
৪৭ আৰু যিকোনো লোকে সেই ঘৰত শুব, তেওঁ নিজ বস্ত্ৰ ধুব
আৰু যিকোনো লোকে সেই ঘৰত আহাৰ কৰিব, তেৰোঁ নিজ বস্ত্ৰ ধুব

লাগিব। ৪৮ আৰু সেই ঘৰ লিপাৰ পাছত পুৰোহিতে সোমাই যদি
সেই দাগ ব্যাপি নোযোৱা দেখে, তেন্তে পুৰোহিতে সেই ঘৰ শুচি বুলি
ক'ব; কিয়নো তাৰ কুষ্ঠ ভাল হ'ল। ৪৯ পাছত তেওঁ সেই ঘৰ শুচি
কৰিবৰ কাৰণে দুটা চৰাই, এডোখৰ এৰচ কাঠ, অলপ ৰঙা নোম,
আৰু একোচা এচোব বন ল'ব। ৫০ মাটিৰ পাত্রত থোৱা নিৰ্মল পানীৰ
ওপৰত তেওঁ এটা চৰাই কাটিব। ৫১ তেওঁ সেই এৰচ কাঠডোখৰ,
এচোব বনকোচা, ৰঙা নোমখিনি আৰু জীয়া চৰাইটো এই সকলোকে
লৈ, সেই কটা চৰাইৰ তেজত আৰু নিৰ্মল পানীত জুবুৰিয়াই সাতবাৰ
ঘৰত ছটিয়াব। ৫২ এইদৰে তেওঁ চৰাইৰ তেজ, নিৰ্মল পানী, জীয়া
চৰাই, এৰচ কাঠ, এচোব বন আৰু ৰঙা নোম, এই সকলোৰে দ্বাৰাই
সেই ঘৰ শুচি কৰিব। ৫৩ কিন্তু তেওঁ নগৰৰ বাহিৰত থকা মুকলি
পথাৰত সেই জীয়া চৰাইটো উৰুৱাই দিব; এইদৰে তেওঁ ঘৰ প্ৰায়চিত্ত
কৰিব; তাতে সেই ঘৰ শুচি হ'ব। ৫৪ এয়ে ছালৰ সকলো প্ৰকাৰ কুষ্ঠ
ৰোগৰ চিনৰ নিয়ম যেনে ছালত খজুৰতি ধৰা চুলি দাড়ি সৰা, ৫৫
কাপোৰ আৰু ঘৰত হোৱা কুষ্ঠ, ৫৬ ছাল উখহি উঠা, চোকোৰা বন্ধা,
জিলিকা দাগ। ৫৭ এই সকলো কোন সময়ত শুচি আৰু কোন সময়ত
অশুচি, সেই বিষয়ে জনোৱাই তাৰ অভিপ্ৰায়; এইয়ে কুষ্ঠৰোগ আৰু
কুষ্ঠৰোগৰ দাগৰ নিয়ম।"

**১৫** যিহোৱাই মোচি আৰু হাৰোণক কোৱা কথাখিনি এইদৰে ক'লে,
২ "তোমালোকে ইস্রায়েলৰ সন্তান সকলক এই কথা কোৱা, 'কোনো
পুৰুষৰ শৰীৰৰ পৰা কোনো ধৰণৰ বৈ থকা সোঁচৰা ৰোগ হ'লে, সেই
ৰোগৰ কাৰণে তেওঁ অশুচি হ'ব। ৩ সেই ৰোগ থকাৰ বাবে তেওঁ
অশুচি হৈ থাকিব। তেওঁৰ শৰীৰৰ পৰা সেই ৰোগ বৈ থাকক বা বন্ধ
হওঁক, তথাপি তেওঁ অশুচি। ৪ সেই ৰোগী শোৱা প্ৰত্যেক শয্যা অশুচি
আৰু তেওঁ বহা প্ৰত্যেক আসনো অশুচি। ৫ যিজনে তেওঁৰ শয্যা চুব,
তেওঁ নিজ বস্ত্ৰ ধুব লাগিব আৰু পানীৰে গা ধুব লাগিব আৰু সন্ধ্যালৈকে
অশুচি হৈ থাকিব। ৬ আৰু সেই ৰোগী বহা আসনত যদি কোনোজনে
বহে, তেন্তে তেওঁ নিজ বস্ত্ৰ ধুব লাগিব আৰু পানীত গা ধুব লাগিব
আৰু এইদৰে তেওঁ সন্ধ্যালৈকে অশুচি হৈ থাকিব। ৭ আৰু যিজনে

সেই ৰোগীৰ গা চুব, তেওঁ নিজ বস্ত্ৰ ধুব লাগিব আৰু পানীত গা ধুব লাগিব আৰু এইদৰে তেওঁ সন্ধ্যালৈকে অশুচি হৈ থাকিব। ৮ সেই ৰোগীয়ে যদি কোনো মানুহৰ গা'ত থুই পেলায়, তেন্তে তেওঁ নিজ বস্ত্ৰ ধুব লাগিব আৰু পানীত গা ধুব লাগিব, এইদৰে তেওঁ সন্ধ্যালৈকে অশুচি হৈ থাকিব। ৯ আৰু সেই ৰোগী যিকোনো বাহনত উঠিব, সেয়ে অশুচি হ'ব। ১০ আৰু যিজনে তেওঁৰ তলত থকা কোনো বস্তু চুব, তেওঁ সন্ধ্যালৈকে অশুচি হৈ থাকিব আৰু যিজনে সেই বস্তু তুলি বৈ নিব, তেওঁ নিজ বস্ত্ৰ ধুব লাগিব আৰু এইদৰে তেওঁ সন্ধ্যালৈকে অশুচি হৈ থাকিব। ১১ সেই ৰোগীয়ে হাত নোধোৱাকৈ যিজনক চুব, তেওঁ নিজ বস্ত্ৰ ধুব লাগিব, পানীত গা ধুব লাগিব আৰু এইদৰে তেওঁ সন্ধ্যালৈকে অশুচি হৈ থাকিব। ১২ আৰু সেই ৰোগীয়ে যি কোনো মাটিৰ পাত্ৰ চুব, তাক ভাঙি পেলাব লাগিব আৰু সকলো কাঠৰ পাত্ৰ পানীত ধুব লাগিব। ১৩ পাছত সেই ৰোগী যেতিয়া নিজ ৰোগৰ পৰা সুস্থ হ'ব, তেতিয়া তেওঁ নিজ শুচিৰ অৰ্থে, সাত দিন বাট চাই থাকি নিজ বস্ত্ৰ ধুব আৰু বোৱতী পানীত গা ধুব লাগিব; তেতিয়া তেওঁ শুচি হ'ব। ১৪ অষ্টম দিনা তেওঁ নিজৰ কাৰণে দুটা কপৌ বা দুটা পাৰ পোৱালি লৈ, সাক্ষাৎ কৰা তম্বুৰ দুৱাৰ-মুখলৈ যিহোৱাৰ আগলৈ আহি সেইবোৰ পুৰোহিতক দিব লাগিব। ১৫ তেতিয়া পুৰোহিতে তাৰ এটা পাপাৰ্থক বলিৰ বলি স্বৰূপে উৎসৰ্গ কৰিব; এইদৰে পুৰোহিতে তেওঁৰ সেই ৰোগৰ কাৰণে যিহোৱাৰ সন্মূখত তাক প্ৰায়শ্চিত্ত কৰিব। ১৬ যদি কোনো পুৰুষৰ স্বাভাৱিকভাৱে বীৰ্য্যপাত হয়, তেন্তে তেওঁ নিজৰ গোটেই শৰীৰ পানীত ধুব লাগিব আৰু সন্ধিয়ালৈকে অশুচি হৈ থাকিব। ১৭ আৰু যিকোনো বস্তুত বা ছালত বীৰ্য্য লাগিলে, তাক পানীত ধুব লাগিব আৰু সেয়ে সন্ধিয়ালৈকে অশুচি হৈ থাকিব। ১৮ আৰু কোনো পুৰুষে স্ত্ৰীৰ সৈতে শয়ন কৰোঁতে যদি বীৰ্য্যপাত হয়, তেওঁলোক দুয়ো পানীত গা ধুব লাগিব আৰু সন্ধিয়ালৈকে অশুচি হৈ থাকিব। ১৯ যেতিয়া কোনো মহিলাৰ ঋতুস্ৰাৱ হয়, তেতিয়া সাত দিনলৈ তেওঁ অশুচি হৈ থাকিব আৰু যিজনে তাইক চুব, সি সন্ধিয়ালৈকে অশুচি হৈ থাকিব। ২০ আৰু সেই অশৌচৰ কালত তেওঁ য'ত শুব, সেই ঠাইও অশুচি হ'ব; আৰু

য'ত তেওঁ বহিব, সেইবোৰো অশুচি হ'ব। ২১ আৰু যিজনে তেওঁৰ
শয্যা চুব; তেওঁ নিজ বস্ত্ৰ ধুব লাগিব আৰু পানীত গা ধুব লাগিব আৰু
এইদৰে তেওঁ সন্ধিয়ালৈকে অশুচি হৈ থাকিব। ২২ আৰু যিজনে তেওঁ
বহা আসন চুব, তেওঁ নিজ বস্ত্ৰ ধুব লাগিব আৰু পানীত গা ধুব লাগিব
আৰু এইদৰে তেওঁ সন্ধ্যালৈকে অশুচি হৈ থাকিব। ২৩ আৰু তাইৰ
শয্যাৰ ওপৰত থকা কিবা বস্তু বা যিকোনো বস্তু যদি তেওঁ চোৱে তেন্তে
তেওঁ সন্ধ্যালৈকে অশুচি হৈ থাকিব। ২৪ আৰু যদি কোনো পুৰুষে
তাইৰে সৈতে শয়ন কৰে আৰু তাইৰ তেজ তেওঁৰ শৰীৰত লাগে,
তেন্তে তেওঁ সাত দিনলৈ অশুচি হৈ থাকিব আৰু যিকোনো শয্যাত তেওঁ
শুব, সেই শয্যাও অশুচি হ'ব। ২৫ আৰু মাহেকীয়া অশৌচৰ কালত
ৰক্তস্ৰাৱ নহৈ, যদি অসময়ত কোনো স্ত্ৰী'ৰ বহু দিনলৈকে ৰক্তস্ৰাৱ
হয় বা মাহেকীয়া অশৌচৰ কালত যদি অনেক দিনলৈ ৰক্তস্ৰাৱ হয়,
তেন্তে মাহেকীয়া অশৌচৰ কালৰ দৰে, সেই অশুচি ৰক্তস্ৰাৱৰ সকলো
দিন তাই অশুচি হৈ থাকিব; তাই অশুচি। ২৬ সেই ৰক্তস্ৰাৱৰ সকলো
দিন যিকোনো শয্যাত তাই শুব, সেয়ে মাহেকীয়া অশৌচৰ কালৰ
দৰে অশুচি হব; আৰু যিকোনো আসনৰ ওপৰত তাই বহিব সেয়ে
মাহেকীয়া অশৌচৰ কালৰ অশুচিতাৰ দৰে অশুচি হ'ব। ২৭ আৰু
যিজনে সেইবোৰ চুব, তেওঁ অশুচি হ'ব আৰু তেওঁ বস্ত্ৰ ধুই পানীত গা
ধুব লাগিব আৰু এইদৰে তেওঁ সন্ধিয়ালৈকে অশুচি হৈ থাকিব। ২৮
পাছত সেই স্ত্ৰী ৰক্তস্ৰাৱৰ পৰা সুস্থ হ'লে, তাই সাত দিন থাকিব; তাৰ
পাছত তাই শুচি হ'ব। ২৯ পাছত অষ্টম দিনা, তাই নিজৰ কাৰণে
দুটা কপৌ বা দুটা পাৰ পোৱালি লৈ, সাক্ষাৎ কৰা তম্বুৰ দুৱাৰ-মুখলৈ
পুৰোহিতৰ ওচৰলৈ আনিব। ৩০ পুৰোহিতে তাৰ এটা পাপাৰ্থক বলি
স্বৰূপে আৰু আনটো হোম-বলিস্বৰূপে উৎসৰ্গ কৰিব; এইদৰে তাই
অশুচি ৰক্তস্ৰাৱৰ কাৰণে পুৰোহিতে যিহোৱাৰ সন্মূখত তাইক প্ৰায়শ্চিত্ত
কৰিব। ৩১ ইস্ৰায়েলৰ সন্তান সকলে তাৰ মাজত থকা মোৰ আবাস
অশুচি কৰি তেওঁলোকে নিজ নিজ অশৌচৰ কাৰণে নমৰিবলৈ এইদৰে
তোমালোকে তেওঁলোকক নিজ নিজ অশৌচৰ পৰা পৃথক কৰিবা। ৩২
গা'ৰ পৰা কিবা বৈ থকা ৰোগী, বীৰ্য্যপাতৰ অশুচি হোৱা লোক, ৩৩

ৰজস্বলা হোৱা কোনো পুৰুষ বা মহিলাৰ শৰীৰৰ পৰা যদি কোনো
তৰল পদাৰ্থ বৈ থাকে, আৰু অশুচি স্ত্রী'ৰে সৈতে শয়নকাৰী পুৰুষ, এই
লোকসকলৰ বাবে এই নিয়ম'।"

**১৬** হাৰোণৰ যি দুজন পুত্ৰ যিহোৱাৰ ওচৰলৈ গ'ল, তেওঁলোকৰ
মৃত্যুৰ পাছত যিহোৱাই মোচিক কৈছিল। ২ যিহোৱাই মোচিক এই
কথা ক'লে, "হাৰোণ নমৰিবৰ বাবে, চন্দুকৰ ওপৰত থকা পাপাবৰণৰ
সন্মূখলৈ প্ৰভেদক বস্ত্ৰৰ ভিতৰৰ পবিত্ৰ-স্থানলৈ সকলো সময়ত
নোসোমাবৰ বাবে আজ্ঞা কৰা; কিয়নো মই পাপাবৰণৰ ওপৰত মেঘত
দৰ্শন দিম। ৩ হাৰোণে এইদৰে পবিত্ৰ স্থানত সোমাব লাগিব। তেওঁ
পাপাৰ্থক বলিৰ বাবে এটা দমৰা গৰু আৰু হোমৰ অৰ্থে এটা মতা
মেৰ লগত ল'ব। ৪ তেওঁ শণ সুতাৰ পবিত্ৰ বস্ত্ৰখন গাত লব, শণৰ
জাঙিয়াটো পিন্ধিব, শণৰ টঙালি গছ কঁকালত বান্ধিব আৰু পাগটো
পিন্ধিব। এইবোৰ পবিত্ৰ বস্ত্ৰ; তেওঁ পানীত গা ধুই, এইবোৰ পিন্ধিব।
৫ পাছত তেওঁ ইস্ৰায়েলৰ সন্তান সকলৰ সমাজৰ পৰা পাপাৰ্থক
বলি উৎসৰ্গ কৰিবলৈ দুটা ছাগলী আৰু হোমৰ অৰ্থে এটা মতা মেৰ
ল'ব। ৬ আৰু হাৰোণে পাপাৰ্থক বলিৰ বাবে দমৰা গৰুটো আনি,
নিজক আৰু নিজ বংশক প্ৰায়শ্চিত্ত কৰিব। ৭ তেতিয়া তেওঁ নিশ্চয়কৈ
ছাগলী দুটা ল'ব আৰু সাক্ষাৎ কৰা তম্বুৰ দুৱাৰমুখত যিহোৱাৰ আগত
উপস্থিত হ'ব। ৮ তেতিয়া হাৰোণে সেই দুটা ছাগলীৰ বিষয়ে চিঠি
খেলিব; এটা গুটি যিহোৱাৰ বাবে, আনটো অজাজেলৰ বাবে হ'ব। ৯
তেতিয়া যি ছাগলী যিহোৱাৰ নামত উঠিব, হাৰোণে সেই ছাগলীটো
লৈ পাপাৰ্থক বলি স্বৰূপে উৎসৰ্গ কৰিব। ১০ কিন্তু যি ছাগলীৰ অৰ্থে
অজাজেলৰ নামত গুটি উঠিব, তাক অজাজেললৈ অৰ্থাৎ ভিতৰলৈ
পঠিয়াবৰ কাৰণে, তাৰ প্ৰায়শ্চিত্ত কৰিবলৈ যিহোৱাৰ সন্মূখত তাক
জীয়াই উপস্থিত কৰিব লাগিব। ১১ তেতিয়া হাৰোণে নিজৰ বাবে লোৱা
পাপাৰ্থক বলিৰ দমৰা গৰুটো আনি নিজক আৰু নিজ বংশক প্ৰায়শ্চিত্ত
কৰিব। তেওঁ নিজৰ বাবে লোৱা সেই পাপাৰ্থক বলিৰ বাবে অনা দমৰা
গৰুটো কাটিব। ১২ হাৰোনে যিহোৱাৰ সন্মুখত থকা বেদীৰ ওপৰৰ
পৰা জ্বলা আঙঠাৰে এটা আঙঠা-ধৰাত ভৰাই ল'ব আৰু মিহিকৈ গুড়ি

কৰা দুমুঠি সুগন্ধি ধূপ লৈ প্ৰভেদক বস্ত্ৰৰ ভিতৰলৈ আনিব। ১৩ আৰু
তেওঁ নমৰিবলৈ সাক্ষ্য ফলিৰ চন্দুকৰ ওপৰত থকা পাপাবৰণক যেন
ধূপৰ ধোঁৱাই ঢাকে, এই কাৰণে সেই সুগন্ধি ধূপ যিহোৱাৰ সন্মূখত
থকা জুইত দিব। ১৪ তেতিয়া তেওঁ সেই দমৰাৰ অলপমান তেজ
লৈ, পূবফালে থকা পাপাবৰণত আঙুলিৰে ছঠিয়াব আৰু আঙুলিৰে
পাপাবৰণৰ সন্মুখতো সেই তেজৰ কিছু লৈ সাতবাৰ ছটিয়াব। ১৫
তেতিয়া তেওঁ লোকসকলৰ পাপাৰ্থক বলিৰ ছাগলীটো কাটি, তাৰ
তেজ প্ৰভেদক বস্ত্ৰৰ ভিতৰলৈ আনিব আৰু দমৰাৰ তেজ লৈ যেনেকৈ
কৰিছিল, তেনেকৈ ইয়াৰ তেজকো কৰিব, অৰ্থাৎ পাপাবৰণত আৰু
পাপাবৰণৰ সন্মূখত তাক ছটিয়াব। ১৬ এইদৰে, ইস্ৰায়েলৰ সন্তান
সকলৰ সকলো প্ৰকাৰ অশৌচ আৰু অপৰাধৰ কাৰণে, তেওঁলোকৰ
আটাই পাপৰ কাৰণেই তেওঁ পবিত্ৰ স্থান প্ৰায়শ্চিত্ত কৰিব; আৰু যি
সাক্ষাৎ কৰা তম্বু তেওঁলোকৰ লগত তেওঁলোকৰ সকলো প্ৰকাৰ
অশৌচৰ মাজত আছে তাকো সেইদৰে কৰিব। ১৭ আৰু প্ৰায়শ্চিত্ত
কৰিবলৈ পবিত্ৰ স্থানত তেওঁ সোমোৱাৰে পৰা নিজক, নিজ বংশক আৰু
ইস্ৰায়েলৰ গোটেই সমাজক প্ৰায়শ্চিত্ত সম্পূৰ্ণকৈ প্ৰায়শ্চিত্ত নকৰালৈকে,
কোনো কোনো লোক সেই সাক্ষাৎ কৰা তম্বুত নাথাকিব। ১৮ তেওঁ
যিহোৱাৰ সন্মূখত থকা বেদীৰ ওচৰলৈ ওলাই গৈ তাক প্ৰায়শ্চিত্ত
কৰিব। তেওঁ সেই দমৰাটোৰ অলপ তেজ আৰু ছাগলীটোৰ অলপ
তেজ লৈ বেদীৰ চাৰিওফালৰ শিং কেইটাত লগাই দিব। ১৯ আৰু
তেওঁ নিজ আঙুলিৰে তেজৰ কিছু লৈ তাৰ ওপৰত সাতবাৰ ছটিয়াই
তাক শুচি কৰিব আৰু ইস্ৰায়েলৰ সন্তান সকলৰ সকলো প্ৰকাৰৰ
অশৌচৰ পৰা শুচি কৰি তাক পবিত্ৰ কৰিব। ২০ এইদৰে পবিত্ৰ স্থান,
সাক্ষাৎ কৰা তম্বু আৰু বেদী প্ৰায়শ্চিত্ত কৰাৰ পাছত, হাৰোণে সেই
জীয়া ছাগলীটো আনিব। ২১ পাছত তেওঁ তেওঁৰ হাত দুখন সেই
জীয়া ছাগলীটোৰ মুৰত দিব; আৰু ইস্ৰায়েলৰ সন্তান সকলৰ সকলো
অপৰাধ আৰু তেওঁলোকৰ আটাই অধৰ্ম, তেওঁলোকৰ সকলো পাপ
তাৰ ওপৰত স্বীকাৰ কৰি, তেওঁ সেই সকলোকে সেই ছাগলীৰ মুৰত
অৰ্পণ কৰিব। পাছে যুগুতে থকা মানুহ এটাৰ হতুৱাই তাক মৰুভূমিলৈ

পঠিয়াই দিব। ২২ আৰু ছাগলীটোৱে নিজৰ ওপৰত তেওঁলোকৰ সকলো অপৰাধ নিৰ্জ্জন ঠাইলৈ বৈ নিব। আৰু তাত সেই লোকে সেই ছাগলীটো মৰুভূমিত এৰি দিব। ২৩ তেতিয়া হাৰোণে সাক্ষাৎ কৰা তম্বুত সোমাব আৰু পবিত্ৰ স্থানত সোমোৱা সময়ত যি শণৰ বস্ত্ৰবোৰ পিন্ধে তাক সোলোকাই সেই ঠাইতে থ'ব। ২৪ পাছত তেওঁ কোনো পবিত্ৰ ঠাইত গা ধুই, নিজ বস্ত্ৰ পিন্ধি ওলাব; আৰু নিজৰ হোম-বলি উৎসৰ্গ কৰি নিজক আৰু লোকসকলক প্ৰায়শ্চিত্ত কৰিব। ২৫ আৰু পাপাৰ্থক বলিটোৰ তেলখিনি বেদীত দগ্ধ কৰিব। ২৬ আৰু যিজনে অজাজেলৰ কাৰণে ছাগলীটো এৰি দিব, তেওঁ নিজ বস্ত্ৰ আৰু গা ধুব আৰু তাৰ পাছত ছাউনিত সোমাব পাৰিব। ২৭ আৰু পাপাৰ্থক বলিৰ অৰ্থে যি দমৰা গৰু আৰু পাপাৰ্থক বলিৰ অৰ্থে যি ছাগলী, যিবোৰৰ তেজ প্ৰায়শ্চিত্ত কৰিবৰ বাবে পবিত্ৰ স্থানৰ ভিতৰলৈ অনা হ'ব আৰু সেইবোৰৰ ছাল, মঙহ আৰু গোবৰ জুইত পুৰি ভস্ম কৰা হ'ব। ২৮ আৰু যিজনে সেইবোৰ পুৰিব, তেওঁ নিজ বস্ত্ৰ ধুব, পানীত গা ধুব আৰু তাৰ পাছত ছাউনিত সোমাব পাৰিব। ২৯ তোমালোকৰ বাবে চিৰস্থায়ী বিধি এই। সপ্তম মাহৰ দশম দিনা স্বদেশীয় হওঁক বা তোমালোকৰ মাজত বাস কৰা বিদেশীয়েই হওঁক, তোমালোক সকলোৱেই নিজ নিজ প্ৰাণক দুখ দি লঘোন দিবা আৰু কোনো কৰ্ম নকৰিবা। ৩০ কিয়নো সেই দিনা তোমালোকক শুচি কৰিবৰ অৰ্থে তোমালোকক প্ৰায়শ্চিত্ত কৰা হ'ব; আৰু তোমালোক সকলোৱেই পাপৰ পৰা যিহোৱাৰ সাক্ষাতে শুচি হ'বা। ৩১ সেয়েই তোমোলোকৰ সম্পূৰ্ণ বিশ্ৰামৰ বিশ্ৰাম-দিন; তোমালোকে নিজ নিজ প্ৰাণত দুখ দি লঘোন দিবা। এইয়েই তোমালোকৰ মাজত চিৰস্থায়ী বিধি হ'ব। ৩২ পিতৃৰ সলনি পুৰোহিত কৰ্ম কৰিবলৈ যিজনক অভিষিক্ত আৰু নিযুক্ত কৰা হ'ব, সেই পুৰোহিতে প্ৰায়শ্চিত্ত কৰিব আৰু শণ সুতাৰ বস্ত্ৰ অৰ্থাৎ পবিত্ৰ বস্ত্ৰবোৰ পিন্ধিব। ৩৩ আৰু তেওঁ পবিত্ৰ-স্থান প্ৰায়শ্চিত্ত কৰিব, সাক্ষাৎ কৰা তম্বু আৰু বেদী প্ৰায়শ্চিত্ত কৰিব। আৰু পুৰোহিতসকলৰ আৰু গোটেই সমাজৰ বাবে প্ৰায়শ্চিত্ত কৰিব। ৩৪ ইস্ৰায়েলৰ সন্তান সকল, তেওঁলোকৰ সকলো পাপৰ কাৰণে বছৰৰ ভিতৰত এবাৰ প্ৰায়শ্চিত্ত

কৰাটোৱেই তোমালোকৰ বাবে চিৰস্থায়ী বিধি হ'ব।" তেতিয়া হাৰোণে
মোচিক দিয়া যিহোৱাৰ আজ্ঞা অনুসাৰেই কার্য কৰিলে।

১৭ পাছত যিহোৱাই মোচিক ক'লে, ২ "তুমি হাৰোণক, তেওঁৰ
পুত্ৰসকলক আৰু ইস্ৰায়েলৰ সন্তান সকলক এই কথা কোৱা; এই
বিষয়ে যিহোৱাই আজ্ঞা কৰি কৈছে, ৩ 'ইস্ৰায়েলৰ বংশৰ যি কোনো
লোক এজনে গৰু, মেৰ-ছাগ বা ছাগলী, ছাউনিৰ ভিতৰত বা ছাউনিৰ
বাহিৰত, যিহোৱাৰ উদ্দেশ্যে উপহাৰ স্বৰূপে উৎসর্গ কৰে- ৪ কিন্তু
তেওঁ যদি সেই উপহাৰ যিহোৱাৰ আবাসৰ সন্মুখত সাক্ষাৎ কৰা তম্বুৰ
দুৱাৰ-মুখলৈ নানে, তেতিয়া সেই লোকজনলৈ ৰক্তপাতৰ দোষ গণিত
হ'ব; সেই লোকজনে ৰক্তপাত কৰাত, তেওঁক নিজ লোকসকলৰ
মাজৰ পৰা উচ্ছন্ন কৰা হ'ব। ৫ ইয়াৰ অভিপ্ৰায় এই, যে, ইস্ৰায়েলৰ
সন্তান সকলে মুকলি পথাৰত যি যি পশু বলিদান কৰে, সেই সকলোকে
তেওঁলোকে যেন সাক্ষাৎ কৰা তম্বুৰ দুৱাৰ-মুখলৈ যিহোৱাৰ উদ্দেশ্যে
পুৰোহিতৰ ওচৰলৈ আনি, যিহোৱাৰ উদ্দেশ্যে মঙ্গলার্থক বলি স্বৰূপে
উৎসর্গ কৰে। ৬ পুৰোহিতে সেই মঙ্গলার্থক বলিৰ তেজ সাক্ষাৎ
কৰা তম্বুৰ দুৱাৰমুখত যিহোৱাৰ বেদীৰ ওপৰত ছটিয়াব আৰু তাৰ
তেলখিনি সুঘ্ৰাণৰ অর্থে যিহোৱাৰ উদ্দেশ্যে দগ্ধ কৰিব। ৭ তেওঁলোকে
যি ছাগলীৰ মূর্তিৰ অনুগামী হৈ ব্যভিচাৰ কৰি আহিছে, সেইবোৰৰ
উদ্দেশ্যে আৰু বলিদান কৰিব নালাগে। এয়ে তেওঁলোকৰ পুৰুষানুক্ৰমে
পালন কৰিবলগীয়া চিৰস্থায়ী বিধি হ'ব'। ৮ আৰু তুমি তেওঁলোকক
কোৱা, 'ইস্ৰায়েল-বংশীয় যি কোনো লোক বা তেওঁলোকৰ মাজত
প্ৰবাস কৰা যি কোনো বিদেশী জনে নিজৰ হোম-বলি বা মঙ্গলার্থক
বলি, ৯ যিহোৱাৰ উদ্দেশ্যে উৎসর্গ কৰিবলৈ সাক্ষাৎ কৰা তম্বুৰ দুৱাৰ
মুখলৈ ননাকৈ উৎসর্গ কৰিব, সেই লোকজন নিজ লোকসকলৰ মাজৰ
পৰা উচ্ছন্ন হ'ব। ১০ ইস্ৰায়েল বংশীয় যিকোনো লোক এজনে বা
তেওঁলোকৰ মাজত প্ৰবাস কৰা যি কোনো বিদেশীয়ে কোনো প্ৰকাৰৰ
তেজ খাব, মই সেই তেজ খোৱা জনৰ পৰা বিমুখে থাকিম আৰু
তেওঁৰ লোকসকলৰ মাজৰ পৰা তেওঁক উচ্ছন্ন কৰিম। ১১ কিয়নো
শৰীৰৰ প্ৰাণ তেজত থাকে; আৰু তোমালোকৰ প্ৰাণ প্ৰায়শ্চিত্ত কৰিবৰ

অৰ্থে মই সেই তেজ বেদীৰ ওপৰত দিবলৈ তোমালোকক দিলোঁ;
কিয়নো প্ৰাণৰ গুণে তেজেই প্ৰায়শ্চিত্ত সাধক! ১২ এই হেতুকে মই
ইস্ৰায়েলৰ সন্তান সকলক ক'লো বোলে, তোমালোকৰ মাজৰ কোনেও
তেজ খাব নালাগে আৰু তোমালোকৰ মাজত প্ৰবাস কৰা কোনো
বিদেশীয়েও তেজ খাব নালাগে। ১৩ আৰু ইস্ৰায়েলৰ সন্তান সকলৰ
মাজত যি কোনো লোক বা তেওঁলোকৰ মাজত প্ৰবাস কৰা যি কোনো
বিদেশীয়ে কোনো খাব পৰা পশু বা চৰাই চিকাৰত মাৰিব, তেওঁ তাৰ
তেজ উলিয়াই ধুলিৰে ঢাকি থ'ব। ১৪ কিয়নো প্ৰত্যেক প্ৰাণীৰ প্ৰাণ
তেজত থাকে; এই হেতুকে মই ইস্ৰায়েলৰ সন্তান সকলক ক'লোঁ,
"তোমালোকে কোনো প্ৰাণীৰ তেজ নাখাবা; কিয়নো প্ৰত্যেক প্ৰাণীৰ
তেজেই তাৰ প্ৰাণ; যিকোনোৱে তাক খাব, তেওঁ উচ্ছন্ন হ'ব।" ১৫
স্বদেশীয় বা বিদেশীয় লোকসকলৰ মাজৰ যি কোনোৱে নিজে নিজেই
মৰা, বা হিংসুক জন্তুৰে ছিৰা পশু ভোজন কৰিব তেওঁ নিজ বস্ত্ৰ ধুই
পানীত গা ধুব আৰু সন্ধ্যালৈকে তেওঁ অশুচি হৈ থাকিব; তাৰ পাছত
তেওঁ শুচি হ'ব। ১৬ কিন্তু যদি তেওঁ নিজ বস্ত্ৰ বা গা নুধোৱে, তেতিয়া
তেওঁ নিজ অপৰাধৰ ফল ভোগ কৰিব।

**১৮** পাছত যিহোৱাই মোচিক ক'লে, ২ "তুমি ইস্ৰায়েলৰ সন্তান
সকলক এই কথা কোৱা, 'মই তোমালোকৰ ঈশ্বৰ যিহোৱা। ৩
তোমালোকে যেতিয়া মিচৰ দেশত বাস কৰিছিলা, সেই দেশৰ ৰীতি-
নীতিৰ দৰে আচৰণ নকৰিবা। মই তোমালোকক যি কনান দেশলৈ
লৈ আহিম, সেই দেশৰ ৰীতি-নীতিৰ দৰে আচৰণ নকৰিবা আৰু
তেওঁলোকৰ বিধি অনুসাৰেও নচলিবা। ৪ তোমালোকে মোৰ শাসন
প্ৰণালী মতে কাৰ্য কৰিবা আৰু মোৰ বিধিবোৰ পালন কৰিবা, আৰু
সেইদৰে আচৰণ কৰিবা; কিয়নো মই তোমালোকৰ ঈশ্বৰ যিহোৱা।
৫ এই হেতুকে তোমালোকে মোৰ বিধি আৰু শাসন প্ৰাণালীবোৰ
সকলোকে পালন কৰিবা। কোনো এজন লোকে যদি সেইবোৰ পালন
কৰে, তেনেহলে তেওঁ তাৰ দ্বাৰাই জীয়াই থাকিব। মই যিহোৱা। ৬
তোমালোকে কোনেও উলঙ্গতা অনাবৃত কৰিবলৈ, নিজ বংশ পৰিয়ালৰ
কাৰো ওচৰলৈ নাযাবা; মই যিহোৱা। ৭ তুমি নিজ পিতৃক, তোমাৰ

মাতৃৰ উলঙ্গতাৰেই অনাবৃত নকৰিবা; তেওঁ তোমাৰ মাতৃ; তেওঁক লজ্জিত নকৰিবা। ৮ তোমাৰ পিতৃৰ ভাৰ্য্যাৰ উলঙ্গতা অনাবৃত নকৰিবা; সেইদৰে তোমাৰ পিতৃক লজ্জিত নকৰিবা। ৯ তোমাৰ বাই, ভনী, তোমাৰ পিতৃৰ জীয়েক বা তোমাৰ মাতৃৰ জীয়েক, ঘৰত জন্মাই হওঁক বা আন ঠাইতে জন্মা হওঁক, তেওঁলোকৰ উলঙ্গতা অনাবৃত নকৰিবা। ১০ তোমাৰ পো-নাতিয়েৰ বা জী-নাতিয়েৰ উলঙ্গতা অনাবৃত নকৰিবা; কিয়নো তেওঁলোকৰ উলঙ্গতা তোমাৰ নিজৰেই উলঙ্গতা। ১১ তোমাৰ পিতৃৰ ঔৰসত জন্মা তোমাৰ পিতৃৰ ভাৰ্য্যাৰ জীয়েকৰ উলঙ্গতা অনাবৃত নকৰিবা; তাই তোমাৰ ভনী। ১২ তোমাৰ পিতৃৰ বায়েক বা ভনীয়েকৰ উলঙ্গতা অনাবৃত নকৰিবা; তাই তোমাৰ পিতৃৰ ওচৰ সম্বন্ধীয়া। ১৩ তোমাৰ মাতৃৰ বায়েক বা ভনীয়েকৰ উলঙ্গতা অনাবৃত নকৰিবা; কিয়নো তাই তোমাৰ মাতৃৰ ওচৰ সম্বন্ধীয়া। ১৪ তোমাৰ পিতৃৰ ককায়েক বা ভায়েকৰ উলঙ্গতা অনাবৃত নকৰিবা; তুমি তেওঁৰ ভাৰ্য্যাৰ ওচৰলৈ নাযাবা; তাই তোমাৰ বৰমা, বা খুৰী। ১৫ তোমাৰ বোৱাৰীয়েৰ উলঙ্গতা অনাবৃত নকৰিবা; কিয়নো তাই তোমাৰ পো'ৰ ভাৰ্য্যা। তাইৰ উলঙ্গতা অনাবৃত নকৰিবা। ১৬ তোমাৰ ককায়েৰা বা ভায়েৰাৰ ভাৰ্যাৰ উলঙ্গতা অনাবৃত নকৰিবা; সেয়ে তোমাৰ ককায়েৰা বা ভায়েৰাৰ উলঙ্গতা। ১৭ কোনো মহিলা আৰু তাইৰ জীয়েকৰ উলঙ্গতা অনাবৃত নকৰিবা; উলঙ্গতা অনাবৃত কৰিবলৈ তাইৰ পো-নাতিয়েক বা জী-নাতিয়েকক বিয়া নকৰিবা। তেওঁলোক ওচৰ সম্বন্ধীয়া; এইয়ে লম্পটতা। ১৮ নিজ তিৰোতাৰ সতিনী খটাবলৈ তাই জীয়াই থকা কালত, উলঙ্গতা অনাবৃত কৰিবৰ অৰ্থে তাইৰ লগত বায়েক বা ভনীয়েকক বিয়া নকৰিবা। ১৯ আৰু কোনো মহিলাৰ মাহেকীয়া অশৌচেৰে অশুচি হৈ থকা সময়ত, তাইৰ উলঙ্গতা অনাবৃত কৰিবলৈ তাইৰ ওচৰলৈ নাযাবা। ২০ আৰু তুমি নিজকে অশুচি কৰিবলৈ ওচৰ-চুবুৰিয়াৰ ভাৰ্য্যাৰ লগত সহবাস নকৰিবা। ২১ তোমাৰ সন্তানৰ কাকো মোলক দেৱতাৰ উদ্দেশ্যে অগ্নিৰ মাজেদি গমণ কৰাই, তোমাৰ ঈশ্বৰৰ নাম অপবিত্ৰ নকৰিবা; মই যিহোৱা। ২২ তুমি মহিলাৰ লগত শয়ন কৰাৰ দৰে পুৰুষে সৈতে শয়ন নকৰিবা। সেয়ে ঘিণলগীয়া

কৰ্ম। ২৩ আৰু তুমি নিজকে অশুচি কৰিবলৈ, কোনো জন্তুত পতিত
নহ'বা; আৰু কোনো মহিলাই নিজৰে সৈতে সংসৰ্গ কৰিবলৈ, কোনো
জন্তুৰ আগত থিয় নহ'ব, সেয়ে স্বভাৱৰ বিৰুদ্ধে কৰা কাৰ্য। ২৪
তোমালোকে এই কাৰ্যবোৰৰ ভিতৰৰ কোনো কাৰ্যৰ দ্বাৰাই নিজকে
অশুচি নকৰিবা; কিয়নো যি যি জাতিক মই তোমালোকৰ সন্মুখৰ পৰা
খেদিম, তেওঁলোক এই সকলো কৰ্মৰ দ্বাৰাই অশুচি হ'ল। ২৫ আৰু
সেই দেশখনো অশুচি হ'ল; এই হেতুকে মই তাৰ অপৰাধৰ ফল তাক
ভোগ কৰালো আৰু সেই দেশে নিজ নিবাসীসকলক বতিয়াই পেলালে।
২৬ এই হেতুকে তোমালোকে মোৰ বিধি আৰু শাসন প্ৰণালীবোৰ
পালন কৰিবা, আৰু স্বদেশীয় বা তোমালোকৰ মাজত প্ৰবাস কৰা
বিদেশীয়েই হওঁক, তোমালোকে সেই সকলো ঘিণলগীয়া কাৰ্যৰ
মাজৰ কোনো কাৰ্য নকৰিবা। ২৭ কিয়নো তোমালোকৰ পূৰ্বে থকা
লোকসকলে এই সকলো ঘিণলগীয়া কৰ্ম কৰাত সেই দেশ অশুচি
হ'ল। ২৮ কিয়নো সাৱধান, তোমালোকে সেই দেশ অশুচি কৰিলে,
তোমালোকৰ পূৰ্বে থকা সেই জাতিক বতিয়াই পেলোৱাৰ নিচিনাকৈ,
সেই দেশে তোমালোককো বতিয়াই পেলাব। ২৯ কিয়নো যি যি লোকে
এইবোৰ ঘিণলগীয়া কাৰ্যৰ মাজৰ কোনো কাৰ্য কৰিব, ঘিণলগীয়া
কাৰ্য কৰা সেই সকলোকে নিজ লোকসকলৰ মাজৰ পৰা উচ্ছন্ন কৰা
হ'ব। ৩০ এই হেতুকে তোমালোকৰ পূৰ্বে প্ৰচলিত হোৱা ঘিণলগীয়া
ৰীতি-নীতিবোৰৰ মাজৰ একোকে তোমালোকে যেন নকৰা, আৰু তাৰ
দ্বাৰাই নিজকে যেন অশুচি নকৰা, এই কাৰণে মোৰ আজ্ঞা পালন
কৰিবা; মই তোমালোকৰ ঈশ্বৰ যিহোৱা'।"

**১৯** পাছত যিহোৱাই মোচিক ক'লে, ২ "তুমি ইস্ৰায়েলৰ সমুদায়
মণ্ডলীক এই কথা কোৱা, 'তোমালোক পবিত্ৰ হ'ব লাগে; কিয়নো মই
তোমালোকৰ যি ঈশ্বৰ যিহোৱা, মই পবিত্ৰ। ৩ তোমালোকে প্ৰতিজনে
নিজ নিজ মাতৃ আৰু নিজ নিজ পিতৃক সন্মান কৰিবা আৰু মোৰ
বিশ্ৰাম দিনবোৰ পালন কৰিবা। মই তোমালোকৰ ঈশ্বৰ যিহোৱা। ৪
তোমালোকে প্ৰতিমাবোৰৰ ফালে মূৰ নুঘূৰাবা আৰু তোমালোকৰ
কাৰণে সাঁচত ঢলা মূৰ্ত্তি নিৰ্ম্মাণ নকৰিবা; মই তোমালোকৰ ঈশ্বৰ

যিহোৱা। ৫ যেতিয়া তোমালোকে যিহোৱাৰ উদ্দেশ্যে মঙ্গলাৰ্থক বলি
উৎসৰ্গ কৰিবা, তেতিয়া তোমালোকে গ্ৰহণ হ'বৰ কাৰণে ইয়াকে
কৰিবা। ৬ তোমালোকে তাক উৎসৰ্গ কৰা দিনা বা তাৰ পাছদিনা
তাক ভোজন কৰিব লাগিব; তৃতীয় দিনলৈ যদি অৱশিষ্ট থাকে, তেন্তে
তাক জুইত পুৰি ভস্ম কৰিব লাগিব। ৭ তৃতীয় দিনা যদি কেনেবাকৈ
তাৰ অলপ খোৱা যায়, তেন্তে সেয়ে ঘিণলগীয়া আৰু অগ্ৰাহ্য হ'ব। ৮
কিন্তু ভোজন কৰা জনে নিজ অপৰাধৰ ফল ভোগ কৰিব, কিয়নো
তেওঁ যিহোৱাৰ পবিত্ৰ বস্তু অপবিত্ৰ কৰিলে, সেই লোক জনক নিজ
লোকসকলৰ মাজৰ পৰা উচ্ছন্ন কৰা হ'ব। ৯ যেতিয়া তোমালোকে
নিজ নিজ ভুমিত উৎপন্ন হোৱা শস্য দাবৰ সময়ত, খেতিৰ চুকত থকা
শস্য সম্পূৰ্ণৰূপে শেষ নকৰাকৈ নাদাবা আৰু তোমাৰ খেতিৰ এৰি
যোৱা শস্য নুবুটলিবা। ১০ আৰু নিজ নিজ দ্ৰাক্ষাবাৰীৰ এৰি যোৱা
দ্ৰাক্ষাফল নিছিঙিবা আৰু দ্ৰাক্ষাবাৰীৰ সৰি পৰা দ্ৰাক্ষাফল নুবুটলিবা;
তুমি দুখীয়া আৰু বিদেশীৰ কাৰণে তাক এৰি যাবা; মই তোমালোকৰ
ঈশ্বৰ যিহোৱা। ১১ তোমালোকে চুৰ নকৰিবা। মিছা কথা নকবা।
আৰু ইজনে সিজনক নঠগাবা। ১২ আৰু তুমি মোৰ নাম লৈ মিছা
শপত খাই তোমাৰ ঈশ্বৰৰ নাম অপবিত্ৰ নকৰিবা। মই যিহোৱা। ১৩
তুমি নিজ চুবুৰীয়াক অত্যাচাৰ নকৰিবা আৰু তেওঁৰ বস্তু অপহৰণ
নকৰিবা; বেচলৈ কাম কৰা চাকৰৰ বেচ গোটেই ৰাতি নিদিয়াকৈ
থাকি ৰাতিপুৱালৈ নাৰাখিবা। ১৪ তুমি কলাক শাও নিদিবা আৰু
অন্ধৰ আগত উজুতি খোৱা মুঢ়া নথবা, কিন্তু তোমাৰ ঈশ্বৰলৈ ভয়
ৰাখিবা; মই যিহোৱা। ১৫ তোমালোকে বিচাৰত অন্যায় নকৰিবা;
বিচাৰত তুমি দুখীয়াৰ মুখলৈ নাচাবা আৰু সম্ভ্ৰান্ত লোকক সমাদৰ
নকৰিবা; কিন্তু তুমি ধাৰ্মিক ভাৱে নিজ চুবুৰীয়াৰ বিচাৰ নিস্পত্তি
কৰিবা। ১৬ তুমি নিজ লোকসকলৰ মাজত চৰ্চ্চি ফুৰোঁতা নহ'বা;
আৰু তোমাৰ ওচৰ চুবুৰীয়াৰ বিৰুদ্ধে প্ৰাণ হত্যাকাৰী নহ'বা; মই
যিহোৱা। ১৭ তুমি নিজ ভাইক নিজ মনত ঘিণ নকৰিবা; তুমি নিজ
চুবুৰীয়াক চুবুৰীয়াৰ কাৰণে পাপৰ ভাৰ নব'বলৈ, অৱশ্যে তেওঁক
সতৰ্ক কৰিবা। ১৮ তুমি নিজ সন্তান সকলৰ প্ৰতিকাৰ নাসাধিবা বা

তেওঁলোকৰ বিৰুদ্ধে আখেজ নাৰাখিবা; কিন্তু নিজ ওচৰ-চুবুৰীয়াক
নিজৰ নিচিনাকৈ প্ৰেম কৰিবা; মই যিহোৱা। ১৯ তোমালোকে মোৰ
বিধিবোৰ পালন কৰিবা। তোমাৰ পশুৰে সৈতে, তুমি বেলেগ বেলেগ
প্ৰজাতিৰ পশুৰ জাকক ফুৰিবলৈ চেষ্টা কৰিব নিদিবা। তোমাৰ পথাৰত
একেডোখৰ মাটিত দুবিধ শস্যৰ গুটি নিসিঁচিবা; আৰু দুই প্ৰকাৰ সুতা
মিহলি কৰি বোৱা বস্ত্ৰ নিপিন্ধিবা। ২০ ধনেৰে বা আন ৰূপে মুক্ত
নোহোৱা এনে যি বাগদান কৰা বেটী, তাইৰে সৈতে যদি কোনোৱে
শয়ন কৰে, তেন্তে তেওঁলোক দুয়ো দণ্ডনীয় হ'ব, কিন্তু তেওঁলোকৰ
প্ৰাণদণ্ড নহ'ব; কিয়নো তাই মুক্ত হোৱা নাই। ২১ তেতিয়া সেই
পুৰুষে সাক্ষাৎ কৰা তম্বুৰ দুৱাৰ-মুখলৈ, যিহোৱাৰ উদ্দেশ্যে নিজৰ
দোষাৰ্থক বলিৰ কাৰণে এটা মতা মেৰ-ছাগ আনিব। ২২ তেতিয়া
পুৰোহিতে যিহোৱাৰ সাক্ষাতে সেই দোষাৰ্থক মেৰ-ছাগটোৰ দ্বাৰাই,
তেওঁ কৰা পাপৰ কাৰণে তেওঁক প্ৰায়শ্চিত্ত কৰিব; তেতিয়া তেওঁ কৰা
সেই পাপৰ ক্ষমা হ'ব। ২৩ তোমালোকে যেতিয়া দেশত সোমাই,
খাদ্যৰ অৰ্থে সকলো প্ৰকাৰ গছ ৰুবা, তেতিয়া তাৰ ফল নিষিদ্ধ যেন
গণ্য কৰিবা আৰু তিনি বছৰলৈকে সেয়ে তোমালোকৰ মানত নিষিদ্ধ
হৈ থাকিব। তাক খাব নালাগে। ২৪ পাছত চতুৰ্থ বছৰত তাৰ সকলো
ফল যিহোৱাৰ প্ৰশংসাৰ্থক উপহাৰ স্বৰূপে পবিত্ৰ হ'ব। ২৫ আৰু
গছে ফল উৎপন্ন কৰি থাকিবৰ কাৰণে, তোমালোকে পঞ্চম বছৰত
তাৰ ফল খাবা; মই তোমালোকৰ ঈশ্বৰ যিহোৱা। ২৬ তোমালোকে
তেজেৰে সৈতে একো মঙহ নাখাবা। শুভ অশুভ লক্ষণ নামানিবা আৰু
গণকৰ বিদ্যা ব্যৱহাৰ নকৰিবা। ২৭ তোমালোকে নিজ নিজ মূৰৰ চুলি
ঘূৰণীয়াকৈ নাকাটিবা আৰু নিজ নিজ দাড়িৰ চুক অশুৱনীকৈ নুখুৰাবা।
২৮ আৰু মৰা লোকৰ কাৰণে তোমালোকে নিজ গা কাট-কুট নকৰিবা
আৰু গাত কাটি বা বিন্ধি দাগ নলগাবা; মই যিহোৱা। ২৯ তুমি নিজ
জীয়েৰাক বেশ্যা হ'বলৈ দি তাইক ভ্ৰষ্ট নকৰিবা; কিয়নো তেনে কৰিলে
দেশ ব্যভিচাৰত পতিত হ'ব আৰু দেশ দুষ্টতাৰে পৰিপূৰ্ণ হ'ব। ৩০
তোমালোকে মোৰ বিশ্ৰাম দিন পালন কৰিবা আৰু মোৰ ধৰ্মধামলৈ ভয়
ৰাখিবা; মই যিহোৱা। ৩১ ভূত পোহা আৰু গুণ-মন্ত্ৰ জনাসকলৰ ফালে

মুখ নকৰিবা; নিজকে অশুচি কৰিবৰ কাৰণে তেওঁলোকক সুধিবলৈ
তেওঁলোকৰ ওচৰলৈ নাযাবা; মই তোমালোকৰ ঈশ্বৰ যিহোৱা। ৩২
তুমি পকামুৰীয়া জনৰ আগত উঠি থিয় হ'বা, বৃদ্ধলোকক সমাদৰ
কৰিবা আৰু নিজ ঈশ্বৰলৈ ভয় ৰাখিবা; মই যিহোৱা। ৩৩ আৰু কোনো
বিদেশী লোকে যদি তোমালোকৰ দেশত তোমালোকৰে সৈতে বাস
কৰে, তেন্তে তোমালোকে তাক উপদ্ৰৱ নকৰিবা। ৩৪ তোমালোকৰ
মাজত স্বদেশীয় লোক যেনে, তোমালোকৰ মাজত প্ৰবাস কৰা বিদেশী
লোকো তোমালোকৰ পক্ষে তেনে হ'ব আৰু তুমি সেই লোকসকলক
নিজৰ নিচিনাকৈ প্ৰেম কৰিবা; কাৰণ মিচৰ দেশত তোমালোকো
বিদেশী আছিলা; মই তোমালোকৰ ঈশ্বৰ যিহোৱা। ৩৫ তোমালোকে
বিচাৰত, পৰিমাণত বা ওজনত বা দ্ৰব্যৰ জোখত অন্যায় নকৰিবা;
৩৬ তোমালোকে সঠিক পাল্লা, সঠিক দগা, ঠিক ঐফা আৰু ঠিক হীন
ৰাখিবা; মিচৰ দেশৰ পৰা তোমালোকক উলিয়াই অনা তোমালোকৰ
ঈশ্বৰ যিহোৱা ময়েই। ৩৭ এতেকে তোমালোকে মোৰ সকলো বিধি
আৰু সকলো শাসন-প্ৰণালী পালন কৰি, সেই অনুসাৰে আচৰণ কৰিবা।
মই যিহোৱা'।"

২০ পাছে যিহোৱাই মোচিক ক'লে, ২ "তুমি ইস্ৰায়েলৰ সন্তানসকলক
পুনৰ কোৱা, 'ইস্ৰায়েলৰ সন্তান সকলৰ যিকোনোৱে বা ইস্ৰায়েলৰ
মাজত প্ৰবাস কৰা যিকোনো বিদেশীয়ে নিজ সন্তানৰ কোনো এজনক
মোলক দেৱতাৰ উদ্দেশ্যে দান কৰিব, তেওঁৰ অৱশ্যে প্ৰাণদণ্ড হ'ব।
দেশীয় লোকসকলে তেওঁক শিল দলিয়াই বধ কৰিব। ৩ ময়ো সেই
লোকলৈ কোন্দোৱাকৈ চাই তেওঁৰ লোকসকলৰ মাজৰ পৰা তেওঁক
উচ্ছন্ন কৰিম; কাৰণ মোৰ ধৰ্মধাম অশুচি কৰিবলৈ আৰু মোৰ পবিত্ৰ
নাম অপবিত্ৰ কৰিবলৈ, তেওঁ নিজ সন্তানৰ কোনো এজনক মোলক
দেৱতাৰ উদ্দেশ্যে দান কৰিলে। ৪ আৰু যি সময়ত সেই মানুহে
নিজ সন্তানৰ কোনো এজনক মোলক দেৱতাৰ উদ্দেশ্যে দান কৰে,
সেই সময়ত যদি দেশীয় লোকসকলে সেই মানুহৰ কাৰ্যলৈ চকু মুদে
আৰু তেওঁক বধ নকৰে, ৫ তেন্তে ময়েই সেই মানুহলৈ আৰু তেওঁৰ
গোষ্ঠীলৈ কোন্দোৱাকৈ চাই তেওঁক আৰু মোলক দেৱতাৰে সৈতে

ব্যভিচাৰ কৰিবৰ অৰ্থে তেওঁৰ অনুগামী হোৱা আটাই ব্যভিচাৰীক
আৰু তেওঁলোকক, লোকসকলৰ মাজৰ পৰা উচ্ছন্ন কৰিম। ৬ আৰু
যি কোনো মানুহে ভূত পোহা আৰু গুণ-মন্ত্ৰ জনাসকলৰ অনুগামী হৈ
ব্যভিচাৰ কৰিবলৈ তেওঁলোকৰ ফাললৈ মুখ কৰিব, মই সেই মানুহলৈ
কোন্দোৱাকৈ চাই, তেওঁৰ লোকসকলৰ মাজৰ পৰা তেওঁক উচ্ছন্ন
কৰিম। ৭ এই হেতুকে তোমালোকে তোমালোকক পবিত্ৰ কৰি পবিত্ৰ
হোৱা; কিয়নো মই তোমালোকৰ ঈশ্বৰ যিহোৱা। ৮ তোমালোকে
মোৰ বিধিবোৰ পালন কৰিবা আৰু সেই অনুসাৰে আচৰণ কৰিবা।
মই তোমালোকৰ পবিত্ৰকাৰী যিহোৱা। ৯ কিয়নো যিকোনোৱে নিজ
পিতৃ বা মাতৃক শাও দিব, তাৰ অৱশ্যে প্ৰাণদণ্ড হ'ব। পিতৃ-মাতৃক
শাও দিয়াৰ বাবে সেই ৰক্তপাতৰ দোষ তেওঁৰ নিজৰ গাতে থাকিব।
১০ যি লোকে পৰস্ত্ৰীৰে সৈতে ব্যভিচাৰ কৰিব, যি লোকে ওচৰ-
চুবুৰীয়াৰ মহিলাৰে সৈতে ব্যভিচাৰ কৰিব, সেই ব্যভিচাৰী আৰু সেই
ব্যভিচাৰিণী দুয়োৰো অৱশ্যে প্ৰাণদণ্ড হ'ব। ১১ আৰু যি মানুহে নিজ
পিতৃ-ভাৰ্য্যাৰে সৈতে শয়ন কৰিব, তেওঁ নিজ পিতৃৰ উলঙ্গতা প্ৰকাশ
কৰে। অৱশ্যে সিহঁত দুয়োৰো প্ৰাণদণ্ড হব। তেওঁলোকৰ ৰক্তপাতৰ
দোষ তেওঁলোকৰ গাতে লাগি থাকিব। ১২ যদি কোনো লোকে নিজ
নিজ পো-বোৱাৰীয়েকৰ লগত শয়ন কৰে, তেন্তে অৱশ্যে তেওঁলোক
দুয়োৰো প্ৰাণদণ্ড হ'ব। তেওঁলোকে স্বভাৱৰ বিৰুদ্ধে কাৰ্য কৰে।
তেওঁলোকৰ ৰক্তপাতৰ দোষ তেওঁলোকৰ গাতে লাগি থাকিব। ১৩
আৰু কোনো পুৰুষে যদি মহিলাৰ দৰে পুৰুষে সৈতে শয়ন কৰে, তেন্তে
তেওঁলোক দুয়ো ঘিণ লগীয়া কৰ্ম কৰে। তেওঁলোকৰ প্ৰাণদণ্ড অৱশ্যে
হ'ব। তেওঁলোকৰ ৰক্তপাতৰ দোষ তেওঁলোকৰ গাতে লাগি থাকিব।
১৪ কোনো লোকে যদি কোনো মহিলাক আৰু তাইৰ মাকক গ্ৰহণ
কৰে, তেন্তে সেয়ে কুকৰ্ম; তোমালোকৰ মাজত যেন এনে কুকৰ্ম নহয়,
এই কাৰণে তেওঁক আৰু তেওঁলোকক তিনিওটাকে জুইত পুৰি ভস্ম
কৰা হ'ব। ১৫ যদি কোনো লোকে পশুত পতিত হয়, তেওঁৰ অৱশ্যে
প্ৰাণদণ্ড হ'ব। আৰু তোমালোকে সেই পশুকো বধ কৰিবা। ১৬ যদি
কোনো মহিলাই সংসৰ্গ কৰিবলৈ পশুৰ ওচৰলৈ যায়, তেন্তে তুমি সেই

মহিলাক আৰু পশুক বধ কৰিবা। তেওঁলোকৰ অৱশ্যে প্ৰাণদণ্ড হ’ব।
তেওঁলোকৰ ৰক্তপাতৰ দোষ তেওঁলোকৰ গাতে লাগি থাকিব। ১৭ যদি
কোনো লোকে নিজৰ বায়েক কি ভনীয়েক, অৰ্থাৎ বাপেকৰ জীয়েক বা
মাকৰ জীয়েকক গ্ৰহণ কৰি উভয়ে উভয়ৰ উলঙ্গতা দেখে, তেন্তে সেয়ে
বৰ লাজৰ বিষয়। তেওঁলোক নিজ জাতিৰ সন্তান সকলৰ সাক্ষাতে
উচ্ছন্ন হ’ব। তেওঁ নিজ বায়েক কি ভনীয়েকৰ উলঙ্গতা অনাবৃত কৰাত,
তেওঁ নিজ অপৰাধৰ ফল ভোগ কৰিব। ১৮ যদি কোনোবাই মাহেকীয়া
অশৌচ হোৱা মহিলাৰে সৈতে যৌন সম্পৰ্ক স্থাপন কৰে, তাইৰ উলঙ্গতা
প্ৰকাশ কৰে, তেন্তে সেই পুৰুষে তাইৰ ভুমুক অনাবৃত কৰাত আৰু
সেই মহিলায়ো নিজৰ তেজৰ ভুমুক অনাবৃত কৰাত, তেওঁলোক দুয়ো
নিজ লোকসকলৰ মাজৰ পৰা উচ্ছন্ন হ’ব। ১৯ তুমি নিজ মাতৃৰ বা
পিতৃৰ বায়েক কি ভনীয়েকৰ সৈতে যৌন সম্পৰ্ক স্থাপন নকৰিবা।
কিয়নো ইয়াকে কৰিলে, নিজ ওচৰ-সম্বন্ধীয়াৰ উলঙ্গতা অনাবৃত কৰা
হয়; তেওঁলোক দুয়ো নিজ নিজ অপৰাধৰ ফল ভোগ কৰিব। ২০
আৰু যদি কোনো মানুহে নিজ বৰ-মাক বা খুৰীয়েকেৰে সৈতে শয়ন
কৰে, তেন্তে তেওঁ নিজ বৰ-বাপেকৰ বা দদায়েকৰ উলঙ্গতা অনাবৃত
কৰা হয়। তেওঁলোক নিজ নিজ পাপৰ ফল ভোগ কৰিব; তেওঁলোক
নিঃসন্তান হৈ মৰিব। ২১ আৰু যদি কোনোবাই নিজ ককায়েক কি
ভায়েকৰ ভাৰ্য্যাক গ্ৰহণ কৰে, তেন্তে সেয়ে অশুচি কৰ্ম। নিজ ককায়েক
কি ভায়েকৰ ভাৰ্য্যাৰ উলঙ্গতা অনাবৃত কৰাত, তেওঁলোক নিঃসন্তান হৈ
থাকিব। ২২ এই হেতুকে তোমালোকে বাস কৰিবৰ বাবে যি দেশলৈ
মই তোমালোকক লৈ আহিছোঁ, সেই দেশে যেন তোমালোকক বতিয়াই
নেপেলায় এই কাৰণে তোমালোকে মোৰ সকলো বিধি আৰু সকলো
শাসন প্ৰণালী পালন কৰিবা আৰু সেই অনুসাৰে আচৰণ কৰিবা।
২৩ মই তোমালোকৰ সন্মূখৰ পৰা যি জাতিক খেদিম, তেওঁলোকৰ
ৰীতি-নীতিৰ দৰে তোমালোকে আচৰণ নকৰিবা, কিয়নো তেওঁলোকে
সেই সকলো কাৰ্য কৰাত, মই তেওঁলোকক ঘিণ কৰিলোঁ। ২৪ কিন্তু
মই তোমালোকক ক’লোঁ, তোমালোকেই তেওঁলোকৰ দেশ অধিকাৰ
কৰিবা; মই তোমালোককেই অধিকাৰৰ অৰ্থে সেই গাখীৰ আৰু মৌ-

জোল বৈ থকা দেশ দিম। আন জাতি সমূহৰ পৰা তোমালোকক পৃথক
কৰা তোমালোকৰ ঈশ্বৰ যিহোৱা মেয়েই। ২৫ এতেকে তোমালোকে
শুচি অশুচি পশুৰ, আৰু শুচি অশুচি পক্ষীৰ প্ৰভেদ কৰিবা। মই যি যি
পশু, পক্ষী আৰু ভুচৰ পোক পৰুৱা আদি জন্তু অশুচি বুলি তোমালোকৰ
পৰা পৃথক কৰিলোঁ, সেইবোৰৰ কোনো এটাৰ দ্বাৰাই তোমালোকে
নিজক ঘিণলগীয়া নকৰিবা। ২৬ তোমালোক মোৰ উদ্দেশ্যে পবিত্ৰ হব
লাগে; কিয়নো মই যিহোৱা পবিত্ৰ আৰু তোমালোক মোৰ হবলৈ মই
তোমালোকক আন জাতিৰ পৰা পৃথক বেলেগ কৰিলোঁ। ২৭ যি পুৰুষ
কি স্ত্ৰীয়ে ভূত পুহিব বা গুণী হ'ব, তেওঁৰ প্ৰাণদণ্ড হ'ব, তেওঁৰ প্ৰাণদণ্ড
অৱশ্যে হব; লোকসকলে তেওঁলোকক শিল দলিয়াই বধ কৰিব;
তেওঁলোকৰ ৰক্তপাতৰ দোষ তেওঁলোকৰ গাতে লাগি থাকিব'।"

**২১** পাছত যিহোৱাই মোচিক ক'লে: "তুমি পুৰোহিতসকলক অৰ্থাৎ
হাৰোণৰ পুত্ৰসকলক কোৱা, 'নিজ লোকসকলৰ মাজৰ কোনো মানুহ
মৰিলে, তেওঁৰ বাবে কোনেও নিজকে অশুচি কৰিব নালাগে। ২
কেৱল নিজৰ ওচৰ সম্বন্ধীয়া একে তেজৰ, অৰ্থাৎ নিজৰ মাক, বাপেক,
পুতেক, জীয়েক, ককায়েক আৰু ভায়েকৰ বাবে নিজকে অশুচি কৰিব
পাৰে। ৩ আৰু যি কন্যা ছোৱালী বিয়া হোৱা নাই, এনে ওচৰ সম্বন্ধীয়া
নিজৰ বায়েক কি ভনীয়েক মৰিলে, তেওঁৰ বাবেও নিজকে অশুচি
কৰিব পাৰে। ৪ নিজ লোকসকলৰ মাজত এজন প্ৰধান লোক হোৱাৰ
কাৰণে, তেওঁ আন লোকৰ বাবে নিজকে অপবিত্ৰ কৰিবৰ অৰ্থে নিজকে
অশুচি কৰিব নোৱাৰে। ৫ পুৰোহিতসকলে নিজ নিজ মুৰৰ কোনো
ঠাই খুৰাই টকলা নকৰিব, দাড়িৰ চুক নুখুৰাব আৰু নিজ গা কাট-
কুট নকৰিব। ৬ তেওঁলোক তেওঁলোকৰ ঈশ্বৰৰ উদ্দেশ্যে পবিত্ৰ হ'ব,
নিজৰ ঈশ্বৰৰ নাম অপবিত্ৰ নকৰিব। কিয়নো তেওঁলোকে যিহোৱাৰ
অগ্নিকৃত উপহাৰ, নিজৰ ঈশ্বৰৰ "ভক্ষ্য" উৎসৰ্গ কৰে, এই হেতুকে
তেওঁলোক পবিত্ৰ হ'ব লাগে। ৭ পুৰোহিতে বেশ্যা বা ভ্ৰষ্টা মহিলা গ্ৰহণ
নকৰিব আৰু স্বামীয়ে ত্যাগ কৰা মহিলা গ্ৰহণ নকৰিব, কিয়নো তেওঁ
নিজ ঈশ্বৰৰ উদ্দেশ্যে পবিত্ৰ। ৮ এই কাৰণে তুমি তেওঁক পবিত্ৰ কৰি
ৰাখিবা; কিয়নো তেওঁ তোমাৰ ঈশ্বৰৰ 'ভক্ষ্য দ্ৰব্য' উৎসৰ্গ কৰে। তেওঁ

তোমাৰ পক্ষে পবিত্ৰ হ'ব লাগে, কিয়নো তোমালোকক পবিত্ৰ কৰোঁতা
যিহোৱা যি মই, মই পবিত্ৰ। ৯ কোনো পুৰোহিতৰ জীয়েকে যদি বেশ্যা
কৰ্ম কৰি নিজক অপবিত্ৰ কৰে, তেন্তে তাই নিজ বাপেককো অপবিত্ৰ
কৰা হয়; তাইক জুইত পোৰা যাব। ১০ আৰু নিজ ভাইসকলৰ মাজত
যি প্ৰধান পুৰোহিতৰ মুৰত যি অভিষেকাৰ্থক তেল ঢলা গ'ল আৰু পবিত্ৰ
বস্তুবোৰ পিন্ধিবৰ কাৰণে নিযুক্ত কৰা হ'ল, তেওঁ নিজৰ মুৰৰ চুলি
মুকলিকৈ নাৰাখিব আৰু নিজৰ কাপোৰ নাফালিব। ১১ তেওঁ কোনো
মৰা শৰৰ ওচৰলৈ নাযাব; নিজ পিতৃ কি মাতৃৰ কাৰণেও তেওঁ নিজকে
অশুচি নকৰিব। ১২ ধৰ্মধামৰ পৰা বাহিৰ হৈ নাযাব আৰু নিজ ঈশ্বৰৰ
ধৰ্মধাম অপবিত্ৰ নকৰিব, কিয়নো নিজ ঈশ্বৰৰ অভিষেকাৰ্থক তেল
কিৰীটি স্বৰূপে তেওঁৰ মুৰত আছে। মই যিহোৱা। ১৩ প্ৰধান পুৰোহিতে
কেৱল পুৰুষে স্পৰ্শ নকৰা ছোৱালীহে বিয়া কৰিব। ১৪ বিধৱা বা
স্বামীয়ে ত্যাগ কৰা, ভ্ৰষ্টা বা বেশ্যা এনে মহিলা তেওঁ বিয়া নকৰিব।
কিন্তু নিজ লোকসকলৰ মাজৰ পুৰুষে স্পৰ্শ নকৰা কোনো ছোৱালী
বিয়া কৰিব। ১৫ তেওঁ নিজ লোকসকলৰ মাজত নিজ বংশ অপবিত্ৰ
নকৰিব, কিয়নো মই তেওঁক পবিত্ৰ কৰোঁতা যিহোৱা'।" ১৬ যিহোৱাই
মোচিক আৰু ক'লে, বোলে, ১৭ "তুমি হাৰোণক কোৱা, পুৰুষানুক্ৰমে
তোমাৰ বংশৰ মাজত যিজনৰ গাত ঘুণ থাকিব, তেওঁ নিজ ঈশ্বৰৰ
'ভক্ষ্য' উৎসৰ্গ কৰিবলৈ ওচৰ নাচাপিব। ১৮ কিয়নো যিকোনো লোকৰ
ঘুণ থাকিব, সি ওচৰ নাচাপিব; যেনে কণা, খোৰা, ফেঁচা-নকা, ১৯
অধিক অঙ্গ থকা, কি ভৰি ভগা, কি হাত ভগা, ২০ কি কুজাঁ, কি বাওনা
বা চকুৰ ৰোগী বা খজুলি থকা, কি নিকৰি বন্ধা, কি অণ্ডকোষ কঢ়া। ২১
আদি কৰি কোনো ঘুণ থকা যি পুৰুষ হাৰোণ পুৰোহিতৰ বংশৰ মাজত
থাকিব, তেওঁ যিহোৱাৰ উদ্দেশ্যে অগ্নিকৃত উপহাৰ উৎসৰ্গ কৰিবলৈ
ওচৰ নাচাপিব। তেওঁৰ ঘুণ আছে; তেওঁ নিজ ঈশ্বৰৰ 'ভক্ষ্য' উৎসৰ্গ
কৰিবলৈ ওচৰ নাচাপিব। ২২ ঈশ্বৰৰ 'ভক্ষ্য', অৰ্থাৎ অতি পবিত্ৰ
আৰু পবিত্ৰ বস্তু দুয়োকো তেওঁ ভোজন কৰিব পাৰিব। ২৩ কেৱল
প্ৰভেদক বস্ত্ৰৰ ভিতৰলৈ নোসোমাব আৰু যজ্ঞবেদীৰ ওচৰ নাচাপিব,
কিয়নো তেওঁৰ ঘুণ আছে; তাতে তেওঁ মোৰ পবিত্ৰ ঠাইবোৰ অপবিত্ৰ

নকৰিব। কিয়নো মই সেই সকলোকে পবিত্ৰ কৰোঁতা যিহোৱা’।” ২৪
এইদৰে মোচিয়ে হাৰোণক, তেওঁৰ পুত্ৰসকলক আৰু ইস্রায়েলৰ আটাই
সন্তানসকলক এই কথাবোৰ ক’লে।

২২ যিহোৱাই মোচিক ক’লে, বোলে, ২ “ইস্রায়েলৰ সন্তানসকলে
মোৰ উদ্দেশ্যে যি বস্তু পবিত্ৰ কৰে, তাৰ পৰা যেন নিজকে পৃথকে ৰাখে
আৰু মোৰ পবিত্ৰ নাম যেন অপবিত্ৰ নকৰে, এনে আজ্ঞা তুমি হাৰোণ
আৰু তেওঁৰ পুত্ৰসকলক দিয়া। মই যিহোৱা। ৩ তুমি তেওঁলোকক
কোৱা, ‘ইস্রায়েলৰ সন্তানসকলে যিহোৱাৰ উদ্দেশ্যে পবিত্ৰ কৰা পবিত্ৰ
বস্তুৰ ওচৰলৈ, পুৰুষানুক্ৰমে তোমালোকৰ বংশৰ মাজৰ যিকোনোৱে
অশুচি হৈ ওচৰ চাপিব, তেওঁক মোৰ সন্মুখৰ পৰা উচ্ছন্ন কৰা হ’ব। মই
যিহোৱা। ৪ হাৰোণৰ বংশৰ মাজত যিজন লোক কুষ্ঠৰোগী বা যিজনৰ
গাৰ পৰা কিবা বৈ থকা ৰোগ থাকে, তেওঁ শুচি নহয় মানে পবিত্ৰ বস্তুৰ
একোকে ভোজন কৰিব নোৱাৰিব। আৰু মৰা শৰৰ দ্বাৰাই অশুচি হোৱা
বস্তু চুব বা যিজনৰ বীৰ্য্যপাত হ’ব, ৫ বা বস্তুৰ দ্বাৰাই মানুহ অশুচি হ’ব
পৰা এনে বগাই ফুৰা জন্তু বা যিকোনো প্ৰকাৰ অশৌচ মানুহৰ পৰা
লাগিব পৰা অৱস্থা, এনে অশৌচ থকা মানুহক যদি চুব, ৬ সেই চুৱা
লগা মানুহজন সন্ধ্যালৈকে অশুচি হৈ থাকিব আৰু পানীত নিজৰ গা
নুধুলে পবিত্ৰ বস্তু ভোজন কৰিব নোৱাৰিব। ৭ বেলি মাৰ গলেহে তেওঁ
শুচি হ’ব। বেলি মাৰ যোৱাৰ পাছত তেওঁ পবিত্ৰ বস্তু ভোজন কৰিব
পাৰিব, কিয়নো সেইবোৰ তেওঁৰেই আহাৰ। ৮ পুৰোহিতে নিজক
অশুচি কৰিবৰ অৰ্থে কোনো মৰি থকা বা হিংসুক জন্তুৱে ছিৰা পশুৰ
মঙহ নাখাব। মই যিহোৱা। ৯ এই হেতুকে তেওঁলোকে মোৰ পালনীয়
নিৰ্দেশনাবোৰ পালন কৰিব লাগে, নতুবা তেওঁলোকে সেইবোৰ
অপবিত্ৰ কৰিলে, তাৰ কাৰণে তেওঁলোক পাপত পৰিব আৰু তাৰ বাবে
মৰিব। মই তেওঁলোকক পবিত্ৰ কৰোঁতা যিহোৱা। ১০ পুৰোহিত বংশৰ
নোহোৱা কোনো লোকে পবিত্ৰ বস্তু খাব নোৱৰিব; পুৰোহিতৰ ঘৰত
থকা আলহী বা বেচ-খোৱা চাকৰসকলেও পবিত্ৰ বস্তু ভোজন কৰিব
নোৱাৰিব। ১১ কিন্তু যদি পুৰোহিতে ধন দি কোনো লোকক কিনি লয়,
তেন্তে তেওঁ যিহোৱাৰ বাবে ৰখা অংশৰ পৰা ভোজন কৰিব পাৰিব;

আৰু তেওঁৰ ঘৰৰ উপজা লোকসকল আৰু চাকৰসকলেও তেওঁৰ সৈতে
আহাৰ খাব পাৰিব। ১২ পুৰোহিতৰ জীয়েক যদি আন বংশৰ লোকৰ
সৈতে বিয়া হয়, তেন্তে উপহাৰ স্বৰূপে দিয়া পবিত্ৰ বস্তু তাই ভোজন
কৰিব নোৱাৰিব। ১৩ কিন্তু পুৰোহিতৰ জীয়েক যদি বিধৱা বা স্বামীয়ে
ত্যাগ কৰা হয় আৰু তাইৰ যদি সন্তান নাথাকে আৰু নিজ পিতৃৰ
ঘৰলৈ আহি, জীয়াৰীকালৰ দৰে থাকে, তেন্তে তাই পিতৃৰ আহাৰ
খাব পাৰে। কিন্তু পুৰোহিত বংশৰ নোহোৱা লোকে সেই পুৰোহিতৰ
আহাৰ ভোজন নকৰিব। ১৪ যদি কোনোৱে অজানিতে পবিত্ৰ বস্তু
খায়, তেন্তে তেওঁ পুৰোহিতক তাৰ ক্ষতিপূৰণ কৰিব আৰু তাৰ
পাঁচভাগৰ এভাগ বেচিকৈ দিব। ১৫ এইদৰে ইস্ৰায়েলৰ সন্তানসকলে
যিহোৱাৰ উদ্দেশ্যে উৎসৰ্গ কৰা পবিত্ৰ বস্তুবোৰ পুৰোহিতসকলে
অপবিত্ৰ নকৰিব, ১৬ ইস্ৰায়েলৰ সন্তানসকলে তেওঁলোকৰ পবিত্ৰ
বস্তুবোৰ খোৱাৰ সময়ত, তেওঁলোকক দোষাৰোপ কৰি অপৰাধৰ
ফল ভোগ কৰাব নালাগে। কিয়নো মই তেওঁলোকক পবিত্ৰ কৰোঁতা
যিহোৱা'।" ১৭ পাছে যিহোৱাই মোচিক ক'লে, বোলে, ১৮ "তুমি
হাৰোণক, তেওঁৰ পুত্ৰসকলক আৰু ইস্ৰায়েলৰ সকলো সন্তানক কোৱা;
তেওঁলোকক এইদৰে কোৱা যে, 'প্ৰতিজ্ঞা সিদ্ধ কৰিবৰ অৰ্থে দিয়া বা
ইচ্ছামতে এনেই দিয়া, যিহোৱাৰ উদ্দেশ্যে হোম-বলি স্বৰূপে অনা
উপহাৰবোৰৰ মাজৰ নিজৰ উপহাৰ যদি ইস্ৰায়েল বংশৰ কোনো
মানুহে, নাইবা ইস্ৰায়েলৰ মাজত প্ৰবাস কৰা কোনো বিদেশীলোকে
আনে, ১৯ তেন্তে সেয়ে গ্ৰাহ্য হ'বৰ বাবে গৰুৰ বা মেৰৰ বা ছাগলীৰ
পৰা নিঘূণ মতা পশু উৎসৰ্গ কৰিব লাগে। ২০ কিন্তু তোমালোকে ঘূণ
থকা একোকে উৎসৰ্গ নকৰিবা। কিয়নো সেয়ে তোমালোকৰ পক্ষে
মই গ্ৰহণ নকৰিম। ২১ কোনো লোকে যদি প্ৰতিজ্ঞা সিদ্ধ কৰিবৰ
অৰ্থে নাইবা ইচ্ছামতে এনেই দিবৰ অৰ্থে, গৰু, কি মেৰ, কি ছাগলীৰ
জাকৰ পৰা মঙ্গলাৰ্থক বলি যিহোৱাৰ উদ্দেশ্যে উৎসৰ্গ কৰে, তেন্তে
গ্ৰাহ্য হবৰ বাবে সেয়ে নিৰ্ঘূণ হব লাগিব। তাত কোনো ঘূণ থাকিব
নালাগিব। ২২ কণা, কি ঠেং ভগা, কি খুন হোৱা, কি পুঁজ-পানী বৈ
থকা, কি খহুৱা, কি নিকৰি বন্ধা, এনে পশু তোমালোকে যিহোৱাৰ

উদ্দেশ্যে উৎসৰ্গ নকৰিবা; আৰু তাৰ একোকে যিহোৱাৰ উদ্দেশ্যে
অগ্নিকৃত উপহাৰ স্বৰূপে যজ্ঞবেদীত নুতুলিবা। ২৩ আৰু অধিক অঙ্গ
কি কম অঙ্গ থকা গৰু, মেৰ বা ছাগলী পোৱালি ইচ্ছামতে এনেই
দিয়া উপহাৰ স্বৰূপে উৎসৰ্গ কৰিব পাৰা; কিন্তু প্ৰতিজ্ঞা সিদ্ধ কৰিবৰ
অৰ্থে সেয়ে গ্ৰহণ নহ'ব। ২৪ আৰু অণ্ডকোষ চেপি ভঙা, কি খুন্দা, কি
মুচৰি চিঙা, কি কটা, একোকে যিহোৱাৰ উদ্দেশ্যে উৎসৰ্গ নকৰিবা।
এইবোৰ তোমাৰ দেশত উৎসৰ্গ নকৰিবা, ২৫ আৰু বিদেশীৰ হাতৰ
পৰাও কিবা লৈ, সেইবোৰৰ মাজৰ তোমালোকৰ ঈশ্বৰৰ ভক্ষ্য স্বৰূপে
উৎসৰ্গ নকৰিবা; কিয়নো সেইবোৰত দোষ আছে, সেইবোৰত ঘূণ
আছে; সেইবোৰ তোমালোকৰ পক্ষে মই গ্ৰহণ নকৰিম'।" ২৬ পাছত
যিহোৱাই মোচিক ক'লে, ২৭ "গৰু, কি মেৰ, কি ছাগলী জগাৰ পাছত
সাতদিনলৈকে মাকৰ লগত থাকিব লাগিব। তেতিয়া অষ্টম দিনৰ
পৰা যিহোৱাৰ উদ্দেশ্যে আগ কৰা অগ্নিকৃত উপহাৰৰ বাবে তাক
গ্ৰহণ কৰা হ'ব। ২৮ গাই গৰু হওঁক, কি মাইকী মেৰ বা ছাগলী
হওঁক, তাইক তাইৰ পোৱালিৰে সৈতে একেদিনাই মাৰিব নালাগে।
২৯ তোমালোকে যি সময়ত যিহোৱাৰ উদ্দেশ্যে অনুগ্ৰহ মনা বলি
উৎসৰ্গ কৰিবা সেই সময়ত, গ্ৰহণ হবৰ বাবেহে তাক উৎসৰ্গ কৰিবা।
৩০ সেয়ে একেদিনাই তাক ভোজন কৰিব লাগিব। তোমালোকে
ৰাতিপুৱালৈ তাৰ একোকে অৱশিষ্ট নাৰাখিবা। মই যিহোৱা। ৩১ এই
হেতুকে তোমালোকে মোৰ আজ্ঞাবোৰ পালন কৰি, সেই অনুসাৰে কাৰ্য
কৰিবা। মই যিহোৱা। ৩২ আৰু তোমালোকে মোৰ পবিত্ৰ নাম অপবিত্ৰ
নকৰিবা; কিন্তু মই ইস্ৰায়েলৰ সন্তান সকলৰ মাজত পবিত্ৰীকৃত হ'ম।
তোমালোকক পবিত্ৰ কৰোঁতা যিহোৱাময়েই। ৩৩ তোমালোকৰ ঈশ্বৰ
হবৰ বাবে যিজনে মিচৰ দেশৰ পৰা তোমালোকক উলিয়াই আনিলে।
মই যিহোৱা।"

২৩ যিহোৱাই মোচিক ক'লে, ২ "তুমি ইস্ৰায়েলৰ সন্তান সকলক
কথা কোৱা, তেওঁলোকক এই কথা কোৱা যে 'তোমালোকে যিহোৱাৰ
যি সকলো পৰ্ব্ব পবিত্ৰ সভা বুলি ঘোষণা কৰিবা, মোৰ সেইবোৰ পৰ্ব্ব
এই। ৩ ছদিনৰ কাম কৰা যাব; কিন্তু সপ্তমদিন বিশ্ৰাম-দিন, অৰ্থাৎ

সম্পূৰ্ণ বিশ্ৰামৰ, সেই দিনা পবিত্ৰ সভা হ'ব। সেই দিনা তোমালোকে
কোনো প্ৰকাৰৰ কাম নকৰিবা; সেয়ে তোমালোক থকা সকলো
ঠাইতে যিহোৱাৰ উদ্দেশ্যে বিশ্ৰাম-দিন হ'ব। ৪ যিহোৱাৰ যিবোৰ
পৰ্ব্ব, যিবোৰ পবিত্ৰ সভা তোমালোকে নিজ নিজ নিৰূপিত সময়ত
ঘোষণা কৰিবা, সেইবোৰ এই। ৫ প্ৰথম মাহৰ চতুৰ্দশ দিনা সন্ধিয়া
সময়ত যিহোৱাৰ উদ্দেশ্যে নিস্তাৰ-পৰ্ব্ব হ'ব। ৬ আৰু সেই মাহৰ
পঞ্চদশ দিনা যিহোৱাৰ উদ্দেশ্যে খমীৰ নিদিয়া পিঠাৰ উৎসৱ হ'ব।
তোমালোকে সাত দিন ধৰি খমীৰ নিদিয়া পিঠা ভোজন কৰিবা। ৭
প্ৰথম দিনা তোমালোকৰ পবিত্ৰ সভা হ'ব; সেই দিনা তোমালোকে
কোনো ব্যৱসায়ৰ সাধাৰণ কৰ্ম নকৰিবা। ৮ কিন্তু সাত দিন যিহোৱাৰ
উদ্দেশ্যে অগ্নিকৃত উপহাৰ উৎসৰ্গ কৰিবা; সপ্তম দিনা পবিত্ৰ সভা হ'ব;
সেই দিনা তোমালোকে কোনো ব্যৱসায়ৰ সাধাৰণ কৰ্ম নকৰিবা'।" ৯
পাছে যিহোৱাই মোচিৰ সৈতে কথা পাতি এইদৰে ক'লে, ১০ "তুমি
ইস্ৰায়েলৰ সন্তান সকলক কোৱা, 'মই তোমালোকক যি দেশ দিম,
সেই দেশত সোমালে তোমালোকে যেতিয়া তাত শস্য দাবা, তেতিয়া,
তোমালোকে দোৱা শস্যৰ আগভাগ বুলি এডাঙৰি পুৰোহিতৰ গুৰিলৈ
আনিবা। ১১ তোমালোকে গ্ৰহণীয় হ'বৰ বাবে, তেওঁ যিহোৱাৰ আগত
সেই ডাঙৰি দোলাব; বিশ্ৰামবাৰৰ পাছদিনাখনত পুৰোহিতে তাক
দোলাব। ১২ আৰু যি দিনা তোমালোকে সেই ডাঙৰি দোলাবা, সেই
দিনা যিহোৱাৰ উদ্দেশ্য হোমৰ অৰ্থে এটা এবছৰীয়া নিৰ্দ্দূণী মতা মেৰ
পোৱালি উৎসৰ্গ কৰিবা। ১৩ তাৰ ভক্ষ্য নৈবেদ্য ঐফাৰ দহভাগৰ
দুভাগ তেল মিহলোৱা মিহি আটা গুৰি; সেয়ে যিহোৱাৰ উদ্দেশ্য
সুঘ্ৰাণৰ অৰ্থে অগ্নিকৃত উপহাৰ হ'ব; আৰু তাৰ পেয় নৈবেদ্য এক
হীন দ্ৰাক্ষাৰস চাৰিভাগৰ এভাগ হ'ব। ১৪ আৰু তোমালোকে নিজ
ঈশ্বৰৰ উদ্দেশ্যে এই উপহাৰ ননা দিনলৈকে; পিঠা বা ভজা শস্য বা
ছিঙা নতুন চেঁই ভোজন নকৰিবা; তোমালোকে থকা আটাই ঠাইতে
এইয়া পুৰুষানুক্ৰমে পালন কৰিব লগীয়া চিৰকলীয়া বিধি। ১৫ সেই
বিশ্ৰাম-বাৰৰ পাছদিনাৰ পৰা, দোলনীয় নৈবেদ্য স্বৰূপে ডাঙৰি অনা
দিনাৰ পৰা তোমালোকে পুৰা সাত বিশ্ৰাম-বাৰ লেখ কৰিবা। ১৬

এইদৰে সপ্তম বিশ্ৰাম-বাৰৰ পাছদিনালৈকে তোমালোকে পঞ্চাশদিন
লেখ কৰিবা। আৰু তেতিয়া যিহোৱাৰ উদ্দেশ্যে নতুন ভক্ষ্য নৈবেদ্য
উৎসৰ্গ কৰিবা। ১৭ তোমালোকে থকা ঠাইৰ পৰা দোলনীয় নৈবেদ্যৰ
অৰ্থে ঐফাৰ দহভাগৰ দুভাগ দুটা পিঠা আনিবা; সেইবোৰ মিহি
আটাগুৰিৰে যুগুত কৰা আৰু খমীৰ দি তন্দুৰত তাও দিয়া হ'ব লাগে;
সেইবোৰ যিহোৱাৰ উদ্দেশ্যে প্ৰথমে পকা শস্যৰ আগভাগ হ'ব।
১৮ আৰু তোমালোকে সেই দুটা পিঠাৰ লগত সাতোটা এবছৰীয়া
নিঘূণ মেৰ পোৱালি আৰু এটা দমৰা গৰু আৰু দুটা মতা মেৰ উৎসৰ্গ
কৰিবা; সেইবোৰৰ নিজ নিজ ভক্ষ্য নৈবেদ্য আৰু পেয় নৈবেদ্যৰে
সৈতে সেইবোৰ যিহোৱাৰ উদ্দেশ্যে হোম-বলি, যিহোৱাৰ উদ্দেশ্যে
সুঘ্ৰাণ দিয়া অগ্নিকৃত উপহাৰ হ'ব। ১৯ আৰু তোমালোকে পাপাৰ্থক
বলিৰ কাৰণে এটা মতা ছাগলী আৰু মঙ্গলাৰ্থক বলিৰ কাৰণে দুটা
এবছৰীয়া মতা মেৰ-ছাগ পোৱালি উৎসৰ্গ কৰিবা। ২০ আৰু পুৰোহিতে
সেই প্ৰথমে পকা শস্যৰ পিঠাৰে সৈতে যিহোৱাৰ আগত দোলনীয়
নৈবেদ্য স্বৰূপে সেইবোৰ দোলাব আৰু মেৰ পোৱালি দুটাৰে সৈতে
পুৰোহিতৰ কাৰণে যিহোৱাৰ উদ্দেশ্যে পবিত্ৰ হ'ব। ২১ আৰু সেই
দিনা তোমালোকে ঘোষণা কৰিবা, তোমালোকৰ পবিত্ৰ সভা হ'ব
আৰু তোমালোকে কোনো ব্যৱসায় কৰ্ম নকৰিবা; এইয়ে তোমালোকে
থকা সকলো ঠাইতে পুৰুষানুক্ৰমে পালন কৰিবলগীয়া সদাকালৰ
বিধি। ২২ আৰু তোমালোকে নিজ নিজ ভুমিত উৎপন্ন হোৱা শস্য
দাবৰ কালত, খেতিৰ চুকত থকা শস্যৰ সম্পূৰ্ণৰূপে নথকাকৈ নাদাবা
আৰু তোমাৰ খেতিৰ এৰি যোৱা শস্য নুবুটলিবা। তুমি সেইবোৰ
দুখীয়া আৰু বিদেশীৰ কাৰণে এৰি যাবা; মই তোমালোকৰ ঈশ্বৰ
যিহোৱা'।" ২৩ পাছত যিহোৱাই মোচিক ক'লে, ২৪ "তুমি ইস্ৰায়েলৰ
সন্তান সকলক কোৱা, 'সপ্তম মাহৰ প্ৰথম দিনা তোমালোকৰ সম্পূৰ্ণ
বিশ্ৰামৰ দিন, শিঙা বজাই সোঁৱৰণ কৰোওৱা দিন আৰু পবিত্ৰ সভা
হব। ২৫ সেই দিনা তোমালোকে কোনো ব্যৱসায় কৰ্ম নকৰিবা; আৰু
তোমালোকে যিহোৱাৰ উদ্দেশ্যে অগ্নিকৃত উপহাৰ উৎসৰ্গ কৰিবা'।"
২৬ তাৰ পাছত যিহোৱাই মোচিক ক'লে, ২৭ "সেই সপ্তম মাহৰ

দশম দিন অৱশ্যে প্ৰায়শ্চিত্তৰ দিন হ'ব; সেই দিনা তোমালোকে
যিহোৱাৰ উদ্দেশ্যে পবিত্ৰ সভা পালন কৰিবা; তোমালোকে উপবাস
ৰাখিবা আৰু যিহোৱাৰ উদ্দেশ্যে অগ্নিকৃত উপহাৰ উৎসৰ্গ কৰিবা। ২৮
আৰু সেই দিনা তোমালোকে কোনো প্ৰকাৰৰ কাম নকৰিবা কিয়নো
তোমালোকৰ ঈশ্বৰ যিহোৱাৰ আগত তোমালোকক প্ৰায়শ্চিত্ত কৰিবলৈ
সেয়ে প্ৰায়শ্চিত্তৰ দিন হ'ব। ২৯ কিয়নো যিকোনোৱে সেই দিনা
উপবাস নাৰাখে, তেওঁক নিজ লোকসকলৰ মাজৰ পৰা উচ্ছন্ন কৰা
হ'ব। ৩০ আৰু যিকোনো লোকে সেই দিনা কোনো প্ৰকাৰৰ কাম
কৰিব মই তেওঁক তেওঁৰ লোকসকলৰ মাজৰ পৰা বিনষ্ট কৰিম।
৩১ তোমালোকে সেই দিনা কোনো প্ৰকাৰৰ কাম নকৰিবা; এইটো
তোমালোকৰ সকলো নিবাসৰ ঠাইত পুৰুষানুক্ৰমে পালন কৰিব লগীয়া
চিৰস্থায়ী বিধি। ৩২ সেই দিন তোমালোকৰ সম্পূৰ্ণ বিশ্ৰামৰ দিন হ'ব;
সেই মাহৰ নৱম দিনা তোমালোকে উপবাস ৰাখিবা আৰু সন্ধিয়া
সময়ত এক সন্ধ্যাৰ পৰা আন সন্ধ্যালৈকে তোমালোকে তোমালোকৰ
সেই বিশ্ৰাম-দিন পালন কৰিবা।" ৩৩ আৰু যিহোৱাই মোচিক ক'লে,
৩৪ "তুমি ইস্ৰায়েলৰ সন্তান সকলক কোৱা, 'সেই সপ্তম মাহৰ পঞ্চদশ
দিনাৰ পৰা সাত দিনলৈকে যিহোৱাৰ উদ্দেশ্যে পঁজা-পৰ্ব্ব হ'ব। ৩৫
প্ৰথম দিনা পবিত্ৰ সভা হ'ব। সেই দিনা তোমালোকে কোনো ব্যৱসায়
কৰ্ম নকৰিবা। ৩৬ তোমালোকে সাত দিনালৈকে যিহোৱাৰ উদ্দেশ্যে
অগ্নিকৃত উপহাৰ উৎসৰ্গা কৰিবা; অষ্টম দিনা তোমালোকৰ পবিত্ৰ সভা
হ'ব আৰু তোমালোকে যিহোৱাৰ উদ্দেশ্যে অগ্নিকৃত উপহাৰ উৎসৰ্গ
কৰিবা; সেয়ে ধৰ্ম-সভা; সেই দিনা তোমালোকে কোনো ব্যৱসায় কৰ্ম
নকৰিবা। ৩৭ অগ্নিকৃত উপহাৰ, অৰ্থাৎ হোম-বলি, ভক্ষ্য নৈবেদ্য,
মঙ্গলাৰ্থক বলি, আৰু পেয় নৈবেদ্য নিজ নিজ দিন উৎসৰ্গ কৰিবলৈ
তোমালোকে পবিত্ৰ সভা বুলি ঘোষণা কৰিবলগীয়া যিহোৱাৰ পৰ্ব্ব
এইবোৰ।, ৩৮ যিহোৱাৰ বিশ্ৰাম-বাৰ বোৰৰ বাহিৰে আৰু তোমালোকে
যিহোৱাৰ উদ্দেশ্যে যি যি দান দিয়া, প্ৰতিজ্ঞা সিদ্ধ কৰিবৰ অৰ্থে আৰু
ইচ্ছামতে এনেই দিবৰ অৰ্থে যিহোৱাৰ উদ্দেশ্যে তোমালোকে যি
যি উপহাৰ দিয়া, সেই বোৰৰ কাৰণে এই পৰ্ব্ববোৰ পালন কৰিবা।

৩৯ ভুমিত উৎপন্ন হোৱা শস্য চপোৱাৰ পাছত, সপ্তম মাহৰ পঞ্চদশ
দিনাৰ পৰা সাতদিন তোমালোকে অৱশ্যে যিহোৱাৰ উদ্দেশ্যে পঁজা
পৰ্ব্ব পালন কৰিবা; প্ৰথম আৰু অষ্টম দিন সম্পূৰ্ণ বিশ্ৰামৰ বিশ্ৰাম-দিন
হ'ব। ৪০ আৰু প্ৰথম দিনা তোমালোকে শুৱনি গছৰ গুটি, খাজুৰ গছৰ
পাত, ঘন পতীয়া গছৰ ডাল আৰু জুৰিৰ পাৰত থকা বাইচি গছ লৈ
তোমালোকৰ ঈশ্বৰ যিহোৱাৰ আগত সাতদিন আনন্দ কৰিবা। ৪১ আৰু
তোমালোকে বছৰে বছৰে সাতদিন যিহোৱাৰ উদ্দেশ্যে সেই উৎসৱ
পালন কৰিবা; এইয়ে তোমালোকৰ পুৰুষানুক্ৰমে পালন কৰিবলগীয়া
চিৰস্থায়ী বিধি; সপ্তম মাহত তোমালোকে সেই উৎসৱ পালন কৰিবা।
৪২ তোমালোকে সাতদিন সৰু পঁজাত বাস কৰিবা। ইস্ৰায়েল বংশত
ওপজা সকলোৱে সাত দিন সৰু পঁজাত বাস কৰিব; ৪৩ কিয়নো যি
বিষয়ে তোমালোকৰ ভাবী-বংশই যেন জানে যে মই কিদৰে ইস্ৰায়েলৰ
সন্তান সকলক মিচৰ দেশৰ পৰা উলিয়াই অনা সময়ত পঁজাত বাস
কৰাইছিলোঁ। মই তোমালোকৰ ঈশ্বৰ যিহোৱা'।" ৪৪ তেতিয়া মোচিয়ে
ইস্ৰায়েলৰ সন্তানসকলক যিহোৱাৰ সকলো পৰ্ব্বৰ কথা এইদৰে
জনালে।

**২৪** পাছত যিহোৱাই মোচিক ক'লে, ২ "সদায় প্ৰদীপ জ্বলাই পোহৰ
কৰি ৰাখিবৰ কাৰণে, খুন্দি উলিওৱা জিত গছৰ গুটিৰ নিৰ্ম্মল তেল
তোমাৰ ওচৰলৈ আনিবলৈ, তুমি ইস্ৰায়েলৰ সন্তানসকলক আজ্ঞা
দিয়া। ৩ সাক্ষাৎ কৰা তম্বুৰ ভিতৰত সাক্ষ্য-ফলি থকা নিয়ম-চন্দুকৰ
আগত থকা প্ৰভেদক বস্ত্ৰৰ বাহিৰত হাৰোণে যিহোৱাৰ আগত গধূলি
আৰু ৰাতিপুৱা সদায় তাক যুগুত কৰি থ'ব লাগিব। এয়ে তোমালোকৰ
পুৰুষানুক্ৰমে পালন কৰিবলগীয়া চিৰস্থায়ী বিধি। ৪ পুৰোহিতে শুদ্ধ
সোণৰ দীপাধাৰৰ ওপৰত যিহোৱাৰ সন্মুখত সেই প্ৰদীপবোৰ সদায়
যুগুত কৰি জ্বলাই থ'বা। ৫ তুমি মিহি আটাগুৰি লৈ, বাৰটা পিঠা
তন্দুৰত তাও দিবা; প্ৰত্যেক পিঠাত ঐফাৰ দহভাগৰ দুভাগ আটাগুৰি
হ'ব। ৬ তাৰ পাছত তুমি শাৰীত ছটাকৈ দুশাৰী কৰি যিহোৱাৰ আগত
শুদ্ধ সোণৰ মেজখনৰ ওপৰত সেইবোৰ ৰাখিবা। ৭ আৰু প্ৰত্যেক
শাৰীৰ ওপৰত নিৰ্ম্মল ধূপ-ধূনা দিবা; তাতে সেই পিঠাৰ ওপৰত সেয়ে

সোঁৰৰণৰ অৰ্থে হ’ব। সেয়ে যিহোৱাৰ উদ্দেশ্যে অগ্নিকৃত উপহাৰ হ’ব।
৮ আৰু পুৰোহিতে প্ৰত্যেক বিশ্ৰাম-বাৰে যিহোৱাৰ আগত সেই পিঠা
সদায় সজাই থ’ব; সেয়ে চিৰস্থায়ী নিয়মৰ চিন স্বৰূপে ইস্ৰায়েলৰ সন্তান
সকলৰ পক্ষে হ’ব। ৯ আৰু সেয়ে হাৰোণ আৰু তেওঁৰ পুত্ৰসকলৰ
উপহাৰ হ’ব। কোনো পবিত্ৰ ঠাইত তেওঁলোকে তাক ভোজন কৰিব;
কিয়নো যিহোৱাৰ উদ্দেশ্যে দিয়া অগ্নিকৃত উপহাৰ বোৰৰ মাজত
সেয়ে অতি পবিত্ৰ; সেয়ে তেওঁৰ চিৰস্থায়ী অধিকাৰ।” ১০ পাছত
মাক ইস্ৰায়েলীয়া, কিন্তু বাপেক মিচৰীয়া, এনে এজন মানুহ ওলাই
ইস্ৰায়েলৰ সন্তানসকলৰ মাজলৈ গ’ল; তাতে ছাউনিৰ মাজত সেই
ইস্ৰায়েলীয়া মহিলাৰ পুত্ৰৰ সৈতে এটা ইস্ৰায়েলীয়া মানুহৰ দণ্ড লাগিল।
১১ তেতিয়া সেই ইস্ৰায়েলীয়া মহিলাৰ পুত্ৰই যিহোৱাৰ নাম নিন্দা
কৰি শাও দিয়াত, লোকসকলে তেওঁক মোচিৰ ওচৰলৈ আনিলে।
তেওঁৰ মাতৃৰ নাম চলোমীথ; তাই দান ফৈদীয়া, দিব্ৰীৰ জীয়েক। ১২
লোকসকলে তেওঁক বন্ধ কৰি ৰাখি, যিহোৱাৰ মুখৰ পৰা ঠিক আদেশ
পাবলৈ বাট চাই থাকিল। ১৩ তেতিয়া যিহোৱাই মোচিক ক’লে, ১৪
“তুমি সেই শাও দিয়া জনক ছাউনিৰ বাহিৰলৈ লৈ যোৱা। পাছত
যিসকলে তেওঁক শাও দিয়া শুনিছিল, সেই সকলোৱে তেওঁৰ মূৰত
হাত দিয়ক আৰু গোটেই মণ্ডলীয়ে শিল দলিয়াই তেওঁক বধ কৰক।
১৫ আৰু তুমি ইস্ৰায়েলৰ সন্তান সকলক কোৱা, ‘যি কোনোৱে নিজৰ
ঈশ্বৰক শাও দিব, তেওঁ নিজৰ পাপৰ ফল ভোগ কৰিব। ১৬ আৰু
যি জনে যিহোৱাৰ নামৰ নিন্দা কৰিব, সেই জনৰ অৱশ্যে প্ৰাণদণ্ড
হ’ব। গোটেই সমাজে তেওঁলৈ অৱশ্যে শিল দলিয়াব, যদিও তেওঁ
বিদেশী বা ইস্ৰায়েলৰ বংশত জন্মাই হওঁক। যি কোনোৱে যিহোৱাৰ
নামৰ নিন্দা কৰিব, সেই জনৰ অৱশ্যে প্ৰাণদণ্ড হ’ব। ১৭ আৰু যি
জনে আন এজনক বধ কৰিব, তেওঁৰ প্ৰাণদণ্ড অৱশ্যে হ’ব। ১৮ আৰু
যি জনে আন এজনৰ পশুক মাৰিব, তেওঁ তাৰ সলনি দিব; প্ৰাণৰ
সলনি প্ৰাণ। ১৯ আৰু যদি কোনোৱে তেওঁৰ ওচৰ-চুবুৰীয়াক আঘাত
কৰে, তেন্তে তেওঁ যেনে কৰিলে, তেওঁলৈকো তেনে কৰা যাব; ২০ অঙ্গ
ভঙাৰ সলনি অঙ্গ ভঙা, চকুৰ সলনি চকু, দাঁতৰ সলনি দাঁত। যিদৰে

তেওঁ আন জনক আঘাত কৰিলে, তেওঁলৈকো তেনেই কৰা হ'ব। ২১
যি জনে পশু বধ কৰিব, তেওঁ তাৰ সলনি দিব আৰু যি জন লোকে বধ
কৰিব, তেওঁৰ প্ৰাণদণ্ড হ'ব। ২২ তোমালোকৰ স্বদেশীয় আৰু বিদেশীয়
উভয়ৰ কাৰণে একে ৰূপবিধি হ'ব; কিয়নো মই তোমালোকৰ ঈশ্বৰ
যিহোৱা'।" ২৩ তেতিয়া মোচিয়ে ইস্ৰায়েলৰ সন্তান সকললৈ এই আজ্ঞা
প্ৰকাশ কৰাত, লোকসকলে সেই শাও দিয়াজনক ছাউনিৰ বাহিৰলৈ
নি, শিল দলিয়াই তেওঁক বধ কৰিলে। যিহোৱাই মোচিক আজ্ঞা দিয়াৰ
দৰেই, ইস্ৰায়েলৰ সন্তান সকলে কাৰ্য কৰিলে।

**২৫** পাছত যিহোৱাই চীনয় পৰ্ব্বতত মোচিক ক'লে, ২ "তুমি
ইস্ৰায়েলৰ সন্তানসকলক কোৱা, মই তোমালোকক যি দেশ দিম,
তোমালোকে সেই দেশত সোমালে, যিহোৱাৰ উদ্দেশ্যে ভুমিয়ে বিশ্ৰাম
ভোগ কৰিব। ৩ তুমি ছবছৰ নিজ পথাৰত গুটি ববা, আৰু ছবছৰ নিজ
বাৰীৰ দ্ৰাক্ষালতাবোৰ পৰিষ্কাৰ কৰিবা, আৰু তাৰ গুটি চপাবা। ৪ কিন্তু
সপ্তম বছৰ যিহোৱাৰ উদ্দেশ্যে ভুমিৰ সম্পূৰ্ণ বিশ্ৰামৰ বিশ্ৰাম-কাল হ'ব;
সেই বছৰত তুমি নিজ পথাৰত গুটি নব'বা, আৰু দ্ৰাক্ষালতা পৰিষ্কাৰ
নকৰিবা। ৫ তুমি নিজ পথাৰত নিজে হোৱা শস্য নাদাবা, আৰু
পৰিষ্কাৰ নকৰা দ্ৰাক্ষালতাৰ গুটি নচপাবা; সেয়ে ভুমি সম্পূৰ্ণ বিশ্ৰামৰ
বছৰ হ'ব। ৬ তাতে, বিশ্ৰাম-বছৰত হোৱা ভুমি শস্য তোমালোকলৈ
আহাৰ হ'ব; অৰ্থাৎ তোমাৰ পথাৰত উৎপন্ন হোৱা সকলো শস্য
তোমাৰ আৰু তোমাৰ দাস, বেটী আৰু তোমাৰ লগত থকা বেচ খোৱা
দাস আৰু বিদেশীৰ বাবে যুগুত কৰিব পাৰিবা। ৭ আৰু তোমাৰ পশু
আৰু দেশত থকা বনৰীয়া পশুবোৰৰ অৰ্থে সেইবোৰ আহাৰ হ'ব।
৮ তুমি নিজৰ কাৰণে সাত বিশ্ৰাম-বছৰ, সাত গুণ সাত বছৰ লেখ
কৰিবা; তাতে সাত বিশ্ৰাম-বছৰৰ কাল ঊনপঞ্চাশ বছৰ হ'ব। ৯
তেতিয়া সপ্তম মাহৰ দশম দিনা দেশৰ সকলো ফালে বৰ মাতৰ শিঙা
বজাবা; প্ৰায়শ্চিত্তৰ দিনা তোমালোকৰ দেশৰ সকলো ফালে শিঙা
বজাবা। ১০ তোমালোকে পঞ্চাশ বছৰটো পবিত্ৰ বুলি মানিবা, আৰু
গোটেই দেশত তাৰ সকলো নিবাসীসকললৈ মুক্তি ঘোষণা কৰিবা;
সেয়ে তোমালোকৰ কাৰণে বৰ্ষপূৰ্তি উৎসৱ হ'ব, আৰু তোমালোক

প্ৰতিজনে নিজ নিজ উত্তৰাধিকাৰলৈ উলতি যাবা আৰু দাসবোৰক
নিজ নিজ গোষ্ঠীৰ ওচৰলৈ পঠিয়াই দিবা। ১১ সেই পঞ্চাশ বছৰটো
তোমালোকৰ কাৰণে বৰ্ষপূৰ্তি উৎসৱ হ'ব; সেই বছৰত তোমালোকে
গুটি নববা, নিজে হোৱা শস্যও নাদাবা আৰু কলম নিদিয়া দ্ৰাক্ষালতাৰ
গুটিও নচপাবা। ১২ কিয়নো সেয়ে বৰ্ষপূৰ্তি উৎসৱৰ বছৰ; সেয়ে
তোমালোকলৈ পবিত্ৰ হ'ব। তোমালোকে সেই বছৰত নিজে উৎপন্ন
হোৱা শস্য পথাৰৰ পৰা আনি খাবা। ১৩ সেই বৰ্ষপূৰ্তি উৎসৱৰ বছৰত
তোমালোকে সকলোকে নিজ নিজ উত্তৰাধিকাৰবোৰ ঘূৰাই দিবা। ১৪
যদি তুমি নিজ চুবুৰীয়াক কোনো মাটি বেচা, বা তেওঁলোকৰ পৰা
কিনা, তেতিয়া তোমালোকে ইজনে সিজনক অন্যায় নকৰিবা। ১৫
তুমি বৰ্ষপূৰ্তি উৎসৱৰ পাছত হোৱা বছৰৰ লেখ অনুসাৰে লোকৰ
পৰা মাটি কিনিবা, আৰু শস্য উৎপন্ন হোৱা বছৰৰ সংখ্যা অনুসাৰে
তেওঁ তোমাক বেচিব। ১৬ বৰ্ষপূৰ্তি উৎসৱলৈ বেছি বছৰ থাকিলে
বেছি দাম কৰিবা আৰু কম বছৰ থাকিলে কম দাম কৰিবা; কিয়নো
নতুন গৰাকীৰ ভুমিত শস্য উৎপন্ন হোৱা বছৰৰ সংখ্যা অনুসাৰে তেওঁ
তোমাক মাটি বেচে। ১৭ আৰু তোমালোকে ইজনে সিজনক অন্যায়
নকৰিবা, কিন্তু নিজ ঈশ্বৰক ভয় কৰিবা; কিয়নো মই তোমালোকৰ
ঈশ্বৰ যিহোৱা। ১৮ এই কাৰণে তোমালোকে মোৰ বিধি অনুসাৰে
আচৰণ কৰিবা, আৰু মোৰ শাসন প্ৰণালী পালন কৰি, সেই অনুসাৰে
কাৰ্য কৰিবা; তেতিয়া তোমালোকে দেশত নিৰ্ভয়ে বাস কৰিবা। ১৯
আৰু ভুমিয়ে নিজ শস্য উৎপন্ন কৰিব; তাতে তোমালোকে হেঁপাহ
পলোৱাকৈ খাবলৈ পাবা; আৰু দেশত নিৰ্ভয়ে থাকিবা। ২০ কিন্তু
তোমালোকে ক'ব পাৰা যে, "পথাৰ নবলে, আৰু তাত উৎপন্ন হোৱা
গুটি নচপালে আমি সপ্তম বছৰত কি খাম?" ২১ তেতিয়া মই ষষ্ঠ
বছৰত তোমালোকৰ ওপৰত আশীৰ্ব্বাদ আহিবলৈ আদেশ কৰিম,
তাতে ভুমিয়ে সেই বছৰত তিনি বছৰলৈ থকাকৈ শস্য উৎপন্ন কৰিব।
২২ পাছত অষ্টম বছৰত তোমালোকে গুটি ববা, কিন্তু তেতিয়াও পুৰণি
শস্য খাবা; নৱম বছৰৰ শস্য নহয় মানে তোমালোকে পুৰণি শস্য খাই
থাকিবা। ২৩ আৰু মাটি চিৰকালৰ কাৰণে আনক বেচা নহব; কিয়নো

সেই মাটি মোৰ, আৰু তোমালোক মোৰ লগত অতিথি আৰু প্ৰবাসী
আছা। ২৪ আৰু তোমালোকে তোমালোকৰ উত্তৰাধীকাৰ সকলো
দেশত মাটি মোকলাবলৈ ক্ষমতা দিবা। ২৫ তোমাৰ ইস্ৰায়েলী লগৰ
যদি দুখীয়া হৈ তেওঁৰ উত্তৰাধিকাৰৰ মাটি তোমাক কিছু বেচে, তেন্তে
তাক মোকলাব পৰা তেওঁৰ ওচৰ সম্বন্ধীয়াই আহি, নিজ ভায়েকে
বেচা সেই মাটি মোকলাই দিব। ২৬ আৰু যাৰ মুকলি কৰোঁতা গৰাকী
নাই, কিন্তু তেওঁ চহকী হোৱাত, তেওঁৰ যদি নিজে মুকলি কৰিবা পৰা
সমৰ্থ হয়, ২৭ তেন্তে তেওঁ তাক বেচা বছৰ লেখ কৰি, বাকী থকা
ধন বেচাজনক ওলোটাই দিব; তেতিয়া তেওঁ পুনৰায় তেওঁৰ নিজৰ
উত্তৰাধীকাৰ পাব। ২৮ কিন্তু যদি তেওঁ তাক ওলোটাই লবলৈ অসমৰ্থ
হয়, তেন্তে সেই বেচা মাটি বৰ্ষপূৰ্তি উৎসৱৰ বছৰলৈকে কিনা জনৰ
হাতত থাকিব, পাছত বৰ্ষপূৰ্তি উৎসৱৰ বছৰত সেয়ে মুকলি হ'ব,
তেতিয়া তেওঁৰ সেই উত্তৰাধীকাৰ তেওঁ পুনৰায় পাব। ২৯ আৰু যদি
গড় েৰে আবৃত থকা নগৰৰ ভিতৰত বাস কৰা ঘৰ কোনোৱে বেচে,
তেন্তে তেওঁ বেচাৰ পাছত সম্পূৰ্ণ এবছৰৰ ভিতৰত তাক মুকলি কৰিব
পাৰিব; গোটেই বছৰৰ ভিতৰত তাক মুকলি কৰিবলৈ তেওঁৰ ক্ষমতা
থাকিব। ৩০ কিন্তু যদি পুৰা এবছৰৰ ভিতৰত তাক মুকলি কৰা নহয়,
তেন্তে গড়েৰে আবৃত থকা নগৰৰ সেই ঘৰ পুৰুষানুক্ৰমে চিৰকাললৈ
কিনা জনৰ অধিকাৰ হ'ব; সেইয়ে বৰ্ষপূৰ্তি উৎসৱৰ বছৰতো মুকলি
নহ'ব। ৩১ কিন্তু গড়েৰে আবৃত নোহোৱা গাঁৱত থকা যিবোৰ ঘৰ,
সেইবোৰ নগৰৰ বাহিৰৰ মাটিৰ লগত লেখ কৰা হব; সেইবোৰ
ঘৰক মোকলাব পাৰে, আৰু বৰ্ষপূৰ্তি উৎসৱৰ বছৰত সেইবোৰ মুকলি
হৈ যাব। ৩২ তথাপি লেবীয়াসকলৰ উত্তৰাধিকাৰত থকা নগৰৰ
ঘৰবোৰ লেবীয়াসকলে যি কোনো সময়ত মুকলি কৰিব পাৰিব।
৩৩ যদি লেবীয়াসকলৰ মাজৰ কোনো এজনে তাক মুকলি নকৰে,
তেন্তে লেবীয়াসকলৰ উত্তৰাধিকাৰত থকা সেই বেচা ঘৰ বৰ্ষপূৰ্তি
উৎসৱৰ বছৰত মুকলি হৈ যাব, কিয়নো লেবীয়াসকলৰ নগৰৰ ঘৰবোৰ
ইস্ৰায়েলৰ সন্তান সকলৰ মাজত থকা তেওঁলোকৰ উত্তৰাধীকাৰ।
৩৪ কিন্তু তেওঁলোকৰ নগৰৰ চাৰিওফালে থকা চৰণীয়া পথাৰ বেচা

নহ’ব; কিয়নো সেয়ে তেওঁলোকৰ চিৰকলীয়া উত্তৰাধীকাৰ। ৩৫ আৰু
তোমাৰ লগৰ নিবাসী যদি দুখীয়া হয়, আৰু নিজৰ কাৰণে একোকে
যুগুত কৰিব নোৱাৰে তেন্তে তেওঁক বিদেশী আৰু প্ৰবাসীৰ নিচিনাকৈ
তোমাৰ লগত জীৱন-ধাৰণ কৰিবলৈ সহায় কৰিবা; ৩৬ তেওঁৰ পৰা
সুত বা বাঢ়ি নলবা, কিন্তু নিজ ঈশ্বৰক ভয় কৰিবা যাতে তোমাৰ ভাই
তোমাৰ লগত জীৱন-ধাৰণ কৰি থাকে। ৩৭ তুমি সুতলৈ তাক ধন
নিদিবা, বা বাঢ়িলৈ তাক অন্ন নিদিবা। ৩৮ যিজন সৰ্বশক্তিমান ঈশ্বৰে
তোমালোকক কনান দেশ দিবৰ কাৰণে, তোমালোকৰ ঈশ্বৰ হবলৈ
তোমালোকক মিচৰ দেশৰ পৰা উলিয়াই আনিলে, তোমালোকৰ সেই
ঈশ্বৰ যিহোৱা মই। ৩৯ আৰু তোমাৰ ভাই যদি তোমাৰ গুৰিত দুখীয়া
হৈ, নিজকে নিজে বেচে, তেন্তে তুমি তেওঁক বন্দীৰ নিচিনাকৈ কাম
নকৰাবা। ৪০ তেওঁ বেচ খোৱা চাকৰ আৰু প্ৰবাসীৰ নিচিনাকৈ তোমাৰ
লগত থাকিব আৰু বৰ্ষপূৰ্তি উৎসৱৰ বছৰলৈকে তোমাক খাতি দিব।
৪১ তাৰ পাছত তেওঁ নিজ সন্তান সকলৰে সৈতে মুকলি হৈ নিজ গোষ্ঠীৰ
ওচৰলৈ উভতি যাব। ৪২ কিয়নো তেওঁলোক, মই মিচৰ দেশৰ পৰা
উলিয়াই অনা মোৰ দাস; তেওঁলোকক বন্দীস্বৰূপে বেচা নহ’ব। ৪৩
তুমি তেওঁলোকলৈ কঠিন ব্যৱহাৰ নকৰিবা, কিন্তু নিজ ঈশ্বৰক ভয়
কৰিবা। ৪৪ তোমাৰ বন্দী আৰু বেটী, তুমি তোমালোকৰ চাৰিওফালে
থকা জাতি সমূহৰ মাজৰ পৰা তেওঁলোকক কিনিব পাৰিবা। ৪৫
আৰু তোমালোকৰ মাজত প্ৰবাস কৰা আন জাতিৰ সন্তান সকলৰ
আৰু তোমালোকৰ দেশত তেওঁলোকৰ পৰা জন্মা তেওঁলোকৰ যি যি
গোষ্ঠী তোমালোকৰ লগত বাস কৰিছে, তেওঁলোকৰ পৰাও কিনিবা
আৰু তেওঁলোকৰ ওপৰত তোমালোকৰ অধিকাৰ থাকিব। ৪৬ আৰু
তোমালোকে নিজ নিজ ভাবী সন্তান সকলৰ উত্তৰাধিকাৰৰ বাবে
দিব লগা ভাগ স্বৰূপে তেওঁলোকক দিব পাৰিবা, আৰু চিৰকাললৈকে
তেওঁলোকক বন্দী কাম কৰিব পাৰিবা; কিন্তু নিজ ভাই ইস্ৰায়েলৰ
সন্তান সকলৰ মাজত হ’লে, তোমালোক কোনেও কাৰো ওপৰত
কঠিন ব্যৱহাৰ নকৰিবা। ৪৭ আৰু যদি তোমালোকৰ মাজত কোনো
প্ৰবাসী বা বিদেশী লোক ধনী হয়, আৰু তাৰ ওচৰত থকা তোমাৰ ভাই

দৰিদ্ৰ হৈ, সেই প্ৰবাসী বা বিদেশীৰ গুৰিত, বা বিদেশীৰ গোষ্ঠীত
জন্মালোকৰ গুৰিত যদি তেওঁ নিজকে বেচে, ৪৮ তেন্তে বেচাৰ
পাছত তাক মোকলাব পাৰে; তাৰ পৰিয়ালৰ মাজৰ কোনোৱে তেওঁক
মোকলাব পাৰে; ৪৯ তেওঁৰ মোমায়েক, বা মোমায়েকৰ পুত্ৰ, বা তাৰ
গোষ্ঠীৰ মাজৰ তাৰ ওচৰ-সম্বন্ধীয়াই তেওঁক মুকলি কৰিব পাৰে;
নাইবা তেওঁ যদি ধনী হয়, তেন্তে তেওঁ নিজে নিজকে মুকলি কৰিব
পাৰে। ৫০ তেওঁক বেচা বছৰেৰে পৰা বৰ্ষপূৰ্তি উৎসৱৰ বছৰলৈকে,
কিনা জনে সৈতে হিচাপ কৰি, বছৰৰ সংখ্যা অনুসাৰে মুক্তিৰ ধন দিব;
বেচ-খোৱা দাসৰ নিৰিখেৰে, তেওঁ কিনাজনৰ লগত থাকিব। ৫১ যদি
অনেক বছৰ বাকী থাকে, তেন্তে সেই বছৰৰ সংখ্যা অনুসাৰে যিমান
ধন দি তেওঁক কিনা হৈছিল, তেওঁ সেই ধনৰ পৰা নিজকে মুকলি কৰা
ধন ওলোটাই দিব। ৫২ আৰু যদি বৰ্ষপূৰ্তি উৎসৱৰ বছৰলৈকে অলপ
বছৰহে বাকী থাকে, তেন্তে তেওঁক কিনাজনে সৈতে হিচাপ কৰি,
নিজৰ খাটিব লগা বছৰৰ সংখ্যা অনুসাৰে, নিজকে মুকলি কৰা ধন
ওলোটাই দিব। ৫৩ বছৰে বেচ-খোৱা দসৰ দৰে, তেওঁ তাৰে সৈতে
থাকিব; তোমাৰ সাক্ষাতে তেওঁ তাৰ ওপৰত, কঠিন ব্যৱহাৰ নকৰিব।
৫৪ আৰু যদি তেওঁ এইবোৰ উপায়েৰে মুক্ত হ'ব নোৱাৰে, তেন্তে নিজ
সন্তান সকলৰে সৈতে বৰ্ষপূৰ্তি উৎসৱৰ বছৰত মুকলি হৈ যাব। ৫৫
কিয়নো ইস্ৰায়েলৰ সন্তান সকল মোৰেই দাস, তেওঁলোক মিচৰ দেশৰ
পৰা মই উলিয়াই অনা মোৰ দাস; মই তোমালোকৰ ঈশ্বৰ যিহোৱা'।

**২৬** "তোমালোকে তোমালোকৰ কাৰণে প্ৰতিমা নাসাজিবা, আৰু
কটা-মুৰ্ত্তি বা স্তম্ভ স্থাপন নকৰিবা, পৰিসেৱা কৰিবৰ কাৰণে
তোমালোকৰ দেশত নক্সা কটা কোনো শিল স্থাপন নকৰিবা; কিয়নো
মই তোমালোকৰ ঈশ্বৰ যিহোৱা। ২ তোমালোকে মোৰ বিশ্ৰাম-বাৰ
পালন কৰিবা, আৰু মোৰ ধৰ্মধামলৈ ভয় ৰাখিবা; মই যিহোৱা। ৩ যদি
তোমালোকে মোৰ বিধানতে চলা আৰু মোৰ আজ্ঞা পালন কৰি সেই
অনুসাৰে কাৰ্য কৰা, ৪ তেতিয়া মই উচিত সময়ত তোমালোকলৈ বৰষুণ
বৰষাম; তাতে ভুমিয়ে নিজৰ শস্য উৎপন্ন কৰিব, আৰু বাৰীৰ নিজ
গছবোৰত গুটি লাগিব। ৫ তোমালোকৰ শস্য মৰা কাল দ্ৰাক্ষাগুটি চিঙা

কাললৈকে থাকিব, আৰু তোমালোকে হেঁপাহ পলুৱাকৈ তোমালোকৰ
আহাৰ ভোজন কৰিবা আৰু নিৰ্ভয়ে তোমালোকৰ দেশত বাস কৰিবা।
৬ আৰু মই দেশত শান্তি দান কৰিম; তাতে তোমালোকক কোনেওঁ ভয়
নোখোৱাকৈ তোমালোকে শুবলৈ পাবা; মই তোমালোকৰ দেশৰ পৰা
হিংসুক জন্তুবোৰ নাইকিয়া কৰিম, আৰু তোমালোকৰ দেশৰ মাজেদি
তৰোৱাল নচলিব। ৭ তোমালোকে তোমালোকৰ শত্ৰুবোৰক খেদি
দিবা, আৰু তোমালোকৰ আগতে তেওঁলোক তৰোৱালৰ দ্বাৰাই পতিত
হ'ব। ৮ আৰু তোমালোকৰ পাঁচজনে এশ জনক আৰু তোমালোকৰ
এশজনে দহ হাজাৰ জনক খেদি দিব, আৰু তোমালোকৰ শত্ৰুবোৰ
তোমালোকৰ আগত পতিত হ'ব। ৯ মই তোমালোকলৈ অনুগ্ৰহেৰে
দৃষ্টি কৰি তোমালোকক বহুবংশ কৰিম; আৰু অতিশয়ৰূপে বৃদ্ধি কৰিম;
আৰু মই তোমালোকৰ লগত কৰা মোৰ নিয়মটি সিদ্ধ কৰিম। ১০
আৰু তোমালোকে বহুদিনৰ পৰা সাঁচি থোৱা পুৰণি শস্য ভোজন
কৰিবা, আৰু নতুন শস্য থবলৈ পুৰণি শস্য বোৰ উলিয়াবা। ১১ মই
তোমালোকৰ মাজত মোৰ আবাস স্থাপন কৰিম, আৰু মোৰ মনে
তোমালোকক ঘিণ নকৰিব। ১২ আৰু মই তোমালোকৰ মাজত অহা-
যোৱা কৰি, তোমালোকৰ ঈশ্বৰ হ'ম আৰু তোমালোক মোৰ প্ৰজা হ'বা।
১৩ মিচৰীয়াসকলৰ বন্দী নহবৰ কাৰণে যিজনাই মিচৰ দেশৰ পৰা
তোমালোকক উলিয়াই আনিলে, তোমালোকৰ সেই ঈশ্বৰ যিহোৱা
মই; মই তোমালোকৰ যুৱলিৰ শ'লমাৰি ভাঙি, তোমালোকক মূৰ
দণ্ডাই গমণ কৰিলোঁ। ১৪ কিন্তু যদি তোমালোকে মোৰ বাক্যলৈ কাণ
নিদিয়া, মোৰ এই সকলো আজ্ঞামতে কাৰ্য নকৰা, ১৫ মোৰ বিধি
অগ্ৰাহ্য কৰা, আৰু মনতে মোৰ শাসন-প্ৰণালীবোৰ ঘিণ কৰি মোৰ
আজ্ঞামতে কাৰ্য নকৰা, কিন্তু মোৰ নিয়মটি লঙ্ঘন কৰা; ১৬ তেন্তে
তোমালোকে এনে কৰাত মইও তোমালোকলৈ এইদৰে আচৰণ কৰিম:
মই তোমালোকৰ ওপৰত চকু নাশকাৰী আৰু প্ৰাণ ক্ষয়কাৰী ব্যাকুলতা,
যক্ষ্মাৰোগ আৰু পোৰণি জ্বৰ নিৰূপণ কৰিম; আৰু তোমালোকে মিছায়ে
গুটি ববা; কিয়নো তোমালোকৰ শত্ৰুৱে সেইবোৰ খাব। ১৭ আৰু মই
তোমালোকলৈ কোন্দোৱাকৈ চাম, তাতে তোমালোক তোমালোকৰ

শত্ৰুবোৰৰ আগত ঘাটিবা, তোমালোকক ঘিণাওঁতাবোৰে তোমালোকৰ ওপৰত শাসন কৰিব, আৰু কোনেও তোমালোকক নেখেদিলেও তোমালোক পলাই যাবা। ১৮ আৰু যদি তোমালোকে মোৰ বাক্যলৈ কাণ নিদিয়া তেন্তে মই তোমালোকৰ পাপৰ কাৰণে তোমালোকক আৰু সাতগুণ দণ্ড দিম। ১৯ মই তোমালোকৰ গৰ্ব্ব খৰ্ব্ব কৰিম, আৰু তোমালোকৰ আকাশ লোহা যেন, আৰু মাটি পিতল যেন কৰিম। ২০ তাতে তোমালোকৰ পৰিশ্ৰম বিফল হ'ব; কিয়নো তোমালোকৰ ভুমিয়ে শস্য উৎপন্ন নকৰিব; আৰু দেশৰ গছবোৰত গুটি নালাগিব। ২১ আৰু যদি তোমালোকে মোৰ বিপৰীত আচৰণ কৰা আৰু মোৰ বাক্য শুনিবলৈ অসন্মত হোৱা, তেন্তে মই তোমালোকৰ পাপ অনুসাৰে তোমালোকলৈ আৰু সাতগুণ আপদ ঘটাম। ২২ তোমালোকৰ মাজলৈ বনৰীয়া জন্তুবোৰ পঠিয়াম; সেইবোৰে তোমালোকৰ সন্তান নাইকিয়া কৰিব, তোমালোকৰ পশু নষ্ট কৰিব, আৰু তোমালোকৰ সংখ্যা কম কৰিব; আৰু তোমালোকৰ ৰাজ-আলিবোৰ নিজান হৈ পৰিব। ২৩ ইমানতো যদি মোৰ শিকনি নোলোৱা, কিন্তু মোৰ বিপৰীত আচৰণ কৰা, ২৪ তেন্তে মইয়ো তোমালোকৰ বিপৰীত আচৰণ কৰিম আৰু তোমালোকৰ পাপৰ কাৰণে, মই তোমালোকলৈ সাতগুণ আপদ ঘটাম। ২৫ আৰু নিয়মটিৰ উলঙ্ঘন প্ৰতিফল দিবলৈ তোমালোকলৈ তৰোৱাল আনিম, আৰু তোমালোকে নগৰৰ মাজত গোট খালে তোমালোকৰ মাজলৈ মহামাৰী পঠিয়াম; আৰু তোমালোকক শত্ৰুৰ হাতত শোধাই দিয়া যাব। ২৬ মই তোমালোকৰ অন্ন ৰূপ লাখুটি ভঙা কালত দহজনী মহিলাই একেটা তন্দুৰত তোমালোকৰ পিঠা তাও দিব, আৰু তেওঁলোকে জোখ কৰি তোমালোকৰ পিঠা তোমালোকক দিব, আৰু তাক খাই তোমালোকৰ ভোক নপলাব। ২৭ ইমানতো তোমালোকে যদি মোৰ বাক্যলৈ কাণ নিদি মোৰ বিপৰীত আচৰণ কৰা, ২৮ তেন্তে মইও ক্ৰোধত তোমালোকৰ বিপৰীত আচৰণ কৰিম, আৰু তোমালোকৰ পাপৰ কাৰণে তোমালোকক সাতগুণ দণ্ড দিম। ২৯ তোমালোকে নিজ নিজ পো-জীহঁতৰ মঙহ খাবা। ৩০ মই তোমালোকৰ পবিত্ৰ ঠাইবোৰ নষ্ট কৰিম, তোমালোক সুৰ্য্য প্ৰতিমা কাটি পেলাম, আৰু তোমালোকৰ

মুৰ্ত্তিবোৰৰ শৰৰ ওপৰত তোমালোকৰ শৰ পেলাম; আৰু মোৰ মনে তোমালোকক ঘিণ কৰিব। ৩১ মই তোমালোকৰ নগৰবোৰ ধ্বংস কৰিম, তোমালোকৰ ধৰ্মধামবোৰ উচ্ছন্ন কৰিম, আৰু তোমালোকৰ সুগন্ধ বস্তুৰ ঘ্ৰাণ গ্ৰহণ নকৰিম। ৩২ মই তোমালোকৰ দেশখন উচ্ছন্ন কৰিম; তাতে দেশত থকা তোমালোকৰ শত্ৰুবোৰে তাকে দেখি আচৰিত মানিব। ৩৩ মই জাতিবোৰৰ মাজত তোমালোকক গোট গোট কৰিম, আৰু মোৰ তৰোৱাল উলিয়াই তোমালোকৰ পাছত খেদি যাম; তাতে তোমালোকৰ দেশ উচ্ছন্ন আৰু নগৰবোৰ ধ্বংশ কৰা হ'ব। ৩৪ যেতিয়ালৈতে দেশ উচ্ছন্ন হৈ থাকিব আৰু তোমালোক শত্ৰুবোৰৰ দেশত থাকিবা তেতিয়ালৈকে দেশে নিজৰ বিশ্ৰাম-বছৰবোৰ ভোগ কৰিব; সেই কালত দেশে বিশ্ৰাম পাই, নিজৰ বিশ্ৰাম-বছৰবোৰ ভোগ কৰিব। ৩৫ যিমান কাল সেয়ে উচ্ছন্ন হৈ থাকিব, সিমান কাল বিশ্ৰাম কৰিব; তোমালোকে দেশত বাস কৰা কালত তোমালোকৰ বিশ্ৰাম-বছৰবোৰত যি যি বিশ্ৰাম ভোগ কৰা নাই, দেশে তাক ভোগ কৰিব। ৩৬ আৰু শত্ৰুৰ দেশত থকা তোমালোকৰ মাজৰ অৱশিষ্ট লোকসকলৰ মনলৈ ব্যাকুলতা পঠিয়াম; আৰু সৰি পৰা পাতৰ শব্দেয়ো তেওঁলোকক পলুৱাব; যেনেকৈ তৰোৱালৰ আগৰ পৰা পলাই তেনেকৈ পলাব; আৰু কোনেও তোমালোকক খেদি নিনিলেও তোমালোক পতিত হ'বা। ৩৭ আৰু কোনেও তোমালোকক খেদি নিনিলেও তৰোৱালৰ আগৰ পৰা পলাওঁতে ইজনে-সিজনৰ লগত খুন্দা খাই পৰিবা; আৰু শত্ৰুবোৰৰ সন্মুখত থিয় হ'বলৈ তোমালোকৰ শক্তি নাথাকিব। ৩৮ আৰু তোমালোক জাতি সমূহৰ মাজত বিনাশ হ'বা, আৰু তোমালোকৰ শত্ৰুবোৰৰ দেশে তোমালোকক গ্ৰাস কৰিব। ৩৯ আৰু তোমালোকৰ মাজৰ অৱশিষ্ট ভাগ নিজ নিজ অপৰাধৰ কাৰণে শত্ৰুবোৰৰ দেশত ক্ষীণ হৈ যাব, আৰু তেওঁলোকৰ নিজৰ আৰু পুৰ্ব্ব-পুৰুষসকলৰ অপৰাধৰ কাৰণেও ক্ষীণ হৈ যাব। ৪০ কিন্তু যদি তেওঁলোকে আৰু তেওঁলোকৰ পিতৃয়ে কৰা পাপ বা মোৰ সত্যলঙ্ঘন কৰাৰ কাৰণে নিজ নিজ অপৰাধ স্বীকাৰ কৰে, আৰু তেওঁলোকে মোৰ বিপৰীত আচৰণ কৰাত, ৪১ মইও তেওঁলোকৰ বিপৰীত আচৰণ কৰি তেওঁলোকক শত্ৰুবোৰৰ

দেশলৈ অনাকো স্বীকাৰ কৰে, বিশেষকৈ যদি তেওঁলোকে নিজৰ
অচুন্নৎ মন নম্ৰ কৰে, আৰু নিজৰ পাপৰ দণ্ড যোগ্য যেন মানে, ৪২
তেন্তে যাকোবেৰে সৈতে কৰা মোৰ নিয়মটি মই সোঁৱৰিম আৰু
ইচহাকেৰে সৈতে কৰা মোৰ নিয়মটিও, অব্ৰাহামেৰে সৈতে কৰা
মোৰ নিয়মটিও সুঁৱৰিম; আৰু মই দেশকো সোঁৱৰণ কৰিম। ৪৩
দেশ তেওঁলোকৰ দ্বাৰাই পৰিত্যক্ত হ'ব, আৰু তেওঁলোক নথকাকৈ
দেশ উচ্ছন্ন হৈ থকা মানে নিজৰ বিশ্ৰাম-বছৰবোৰ ভোগ কৰিব;
আৰু তেওঁলোকে নিজ নিজ অপৰাধ দণ্ড যোগ্য যেন মানিব; কিয়নো
তেওঁলোকে মোৰ শাসন প্ৰণালীবোৰ অগ্ৰাহ্য কৰিলে। ৪৪ তথাপি
যেতিয়া তেওঁলোক শত্ৰুবোৰৰ দেশত থাকিব, তেতিয়াও মই শেষ
নথকাকৈ বিনষ্ট কৰিবৰ অৰ্থে বা তেওঁলোকৰ সৈতে কৰা মোৰ নিয়মটি
ভাঙিবৰ কাৰণে তেওঁলোকক অগ্ৰাহ্য বা ঘিণ নকৰিম; কিয়নো মই
তেওঁলোকৰ ঈশ্বৰ যিহোৱা। ৪৫ কিন্তু মই তেওঁলোকৰ ঈশ্বৰ হ'বৰ
অৰ্থে তেওঁলোকৰ যি পুৰ্ব্বপুৰুষসকলক জাতি সমূহৰ আগতে মিচৰ
দেশৰ পৰা উলিয়াই আনিলোঁ, তেওঁলোকৰ সেই পুৰ্ব্বপুৰুষসকলৰে
সৈতে কৰা মোৰ নিয়মটি তেওঁলোকৰ মঙ্গলৰ অৰ্থে সোঁৱৰিম; মই
যিহোৱা।" ৪৬ চীনয় পৰ্ব্বতত যিহোৱাই মোচিৰ দ্বাৰাই নিজৰ আৰু
ইস্ৰায়েলৰ সন্তান সকলৰ মাজত এইবোৰ বিধি, শাসন-প্ৰণালী আৰু
ব্যৱস্থা স্থাপন কৰিলে।

**২৭** আৰু এইদৰে যিহোৱাই মোচিক কৈছিল আৰু ক'লে, ২ "তুমি
ইস্ৰায়েলৰ সন্তান সকলক কোৱা, 'তোমাৰ নিৰূপিত মূল্য অনুসাৰে যদি
কোনোৱে যিহোৱাৰ উদ্দেশ্যে মানুহে দিয়া সঙ্কল্প সিদ্ধ কৰিব খোজে,
তলত উল্লেখ কৰা মূল্যৰ ব্যৱহাৰ কৰা। ৩ তেন্তে বিশ বছৰতকৈ
অধিক আৰু ষাঠি বছৰতকৈ কম বয়স হোৱা পুৰুষৰ কাৰণে হ'লে,
পবিত্ৰ স্থানৰ চেকল অনুসাৰে তোমাৰ নিৰূপিত মূল্য পঞ্চাশ চেকল ৰূপ
হ'ব। ৪ কিন্তু স্ত্ৰীৰ বাবে হ'লে, তোমাৰ নিৰূপিত মূল্য ত্ৰিশ চেকল হ'ব।
৫ আৰু যদি পাঁচ বছৰতকৈ অধিক আৰু বিশ বছৰতকৈ কম বয়সীয়া
হয়, তেন্তে পুৰুষৰ বাবে তোমাৰ নিৰূপিত মূল্য বিশ চেকল হ'ব আৰু
স্ত্ৰীৰ বাবে দহ চেকল হ'ব। ৬ আৰু যদি এমাহতকৈ অধিক আৰু পাঁচ

বছৰতকৈ কম বয়সীয়া হয়, তেন্তে ল'ৰাৰ বাবে তোমাৰ নিৰূপিত মূল্য
পাঁচ চেকল হ'ব আৰু ছোৱালীৰ বাবে তিনি চেকল ৰূপ হ'ব। ৭ আৰু
যদি ষাঠি বছৰ ও তাতকৈ অধিক বয়সীয়া হয়, তেনেহলে পুৰুষৰ বাবে
তোমাৰ নিৰূপিত মূল্য পোন্ধৰ চেকল আৰু স্ত্ৰীৰ বাবে দহ চেকল ৰূপ
হ'ব। ৮ কিন্তু যদি লোকজন দুখীয়া হয় আৰু তুমি নিৰূপণ কৰা মূল্য
তেওঁ দিবলৈ যদি অক্ষম হয়, তেন্তে পুৰোহিতে তাৰ মূল্য স্থিৰ কৰিব;
সঙ্কল্প কৰা লোকজনৰ সমৰ্থ অনুসাৰে পুৰোহিতে তাৰ মূল্য স্থিৰ
কৰিব। ৯ আৰু যদি যিহোৱাৰ উদ্দেশ্যে কোনো পশু উৎসৰ্গ কৰিবলৈ
খোজে আৰু সেই পশু যদি যিহোৱাৰ দৃষ্টিত গ্ৰহণযোগ্য হয়, তেন্তে
সেই পশু সম্পূৰ্ণৰূপে তেওঁৰ হ'ব। ১০ তেওঁ তাৰ অন্যথা বা সলনি
নকৰিব, বেয়াৰ সলনি ভাল বা ভালৰ সলনি বেয়া নিদিব; যদি তেওঁ
কোনো ৰূপে পশু সলনি কৰে, তেন্তে সেইটো আৰু তাৰ সলনি দিয়াটো
পবিত্ৰ হ'ব। ১১ আৰু যিহোৱাৰ উদ্দেশ্যে উৎসৰ্গ কৰিব নোৱাৰা কোনো
অশুচি পশু যদি হয়, তেন্তে তেওঁ সেই পশু পুৰোহিতৰ ওচৰলৈ আনিব।
১২ সেই পশুৰ ভাল বেয়া বিবেচনা কৰি পুৰোহিতে বজাৰ দৰৰূপে মূল্য
স্থিৰ কৰিব। পুৰোহিতে নিৰূপণ কৰাৰ দৰে তাৰ মূল্য স্থিৰ হ'ব। ১৩
গৰাকীয়ে যদি কোনো ৰূপে তাক মুকলি কৰিব খোজে, তেন্তে তেওঁ
তোমাৰ নিৰূপিত মূল্যৰ পাঁচভাগৰ এভাগ বেছিকৈ দিব। ১৪ আৰু যদি
কোনো লোকে তেওঁৰ ঘৰ যিহোৱাৰ উদ্দেশ্যে পবিত্ৰ হবলৈ ইচ্ছা কৰে,
তেন্তে সেই ঘৰ ভাল বেয়া বিবেচনা কৰি পুৰোহিতে তাৰ মূল্য স্থিৰ
কৰিব। পুৰোহিতে নিৰূপণ কৰাৰ দৰে তাৰ মূল্য স্থিৰ হ'ব। ১৫ আৰু
গৰাকীয়ে তেওঁ পবিত্ৰ কৰা ঘৰ যদি মোকলাব খোজে, তেন্তে তেওঁ
নিৰূপিত মূল্যৰ পাঁচভাগৰ এভাগ বেচিকৈ দিব; আৰু তেতিয়া সেই ঘৰ
তেওঁৰ হ'ব। ১৬ আৰু যদি কোনোৱে নিজৰ আধিপত্যৰ মাটি কোনো
এভাগ যিহোৱাৰ উদ্দেশ্যে পবিত্ৰ কৰিব খোজে, তেন্তে তাত সিচাঁ
কঠিয়া অনুসাৰে তোমাৰ নিৰূপিত মূল্য হব। এক হোমৰ যৱ সিঁচিবা
পৰা মাটিৰ মূল্য পঞ্চাশ চেকল ৰূপ হ'ব। ১৭ যদি তেওঁ যোৱেল বছৰ
যোৱা মাত্ৰকে নিজৰ সেই ডোখৰ মাটি পবিত্ৰ কৰে, তেন্তে তোমাৰ
নিৰূপিত মূল্য অনুসাৰে সেয়ে স্থিৰ হ'ব। ১৮ আৰু যদি তেওঁ যোৱেল

বছৰৰ কিছু কালৰ পাছত নিজৰ মাটি পবিত্ৰ কৰে, তেন্তে পুৰোহিতে যোৱেল বছৰলৈকে বাকী থকা বছৰৰ সংখ্যা অনুসাৰে তালৈ হিচাপ কৰিব আৰু নিৰূপিত মূল্য কম কৰা হ'ব।
১৯ আৰু যদি সেই মাটি পবিত্ৰ কৰাজনে কোনো ৰূপে তাক মুকলি কৰিব খোজে তেন্তে তেওঁ নিৰূপিত মূল্যৰ পাঁচভাগৰ এভাগ বেছিকৈ দিব, তাতে সেইয়ে তেওঁৰ নিজৰ হ'ব।
২০ কিন্তু যদি তেওঁ সেই মাটি মুকলি নকৰে বা যদি আন কোনোজনক বেচি দিয়ে, তেন্তে তাক আৰু মোকলোৱা নাযাব।
২১ কিন্তু সেই মাটি যোৱেল বছৰত মুকলি হৈ, বৰ্জিত কৰি দিয়া মাটিৰ নিচিনাকৈ যিহোৱাৰ উদ্দেশ্যে পবিত্ৰ হ'ব; আৰু তাত পুৰোহিতৰহে অধিকাৰ থাকিব।
২২ আৰু যদি কোনোৱে নিজৰ পৈত্ৰিক ভুমিৰ বাহিৰে নিজে কিনি লোৱা মাটি এডোখৰ যিহোৱাৰ উদ্দেশ্যে পবিত্ৰ কৰে,
২৩ তেন্তে যোৱেল বছৰলৈকে তুমি নিৰূপণ কৰা মূল্য পুৰোহিতে তাক হিচাপ কৰা দিব; তেওঁ সেই দিনাই, যিহোৱাৰ উদ্দেশ্যে পবিত্ৰ হোৱা বস্তুৰূপে তোমাৰ নিৰূপিত মূল্য দিব।
২৪ সেই মাটি যাৰ পৰা কিনা হৈছিল, তেওঁ, সেই মাটিৰ যাৰ স্বত্ত্ব আছিল, তেওঁৰেই যোৱেল বছৰত তাক পুনৰায় পাব।
২৫ আৰু তুমি নিৰূপণ কৰা আটাই মূল্য পবিত্ৰ স্থান চেকল অনুসাৰে হব; বিশ গেৰাই এক চেকল হয়।
২৬ তথাপি প্ৰথমে জগা বুলি যি পশু যিহোৱাৰ, পশুবোৰৰ মাজত সেই প্ৰথমে জগা পশু কোনেও পবিত্ৰ কৰিব নোৱাৰিব; গৰু, মেৰ, বা ছাগলী হওক, সেয়ে যিহোৱাৰেই।
২৭ যদি সেই পশু অশুচি পশু হয়, তেন্তে উৎসৰ্গ কৰা জনে নিৰূপিত মূল্যৰ পাঁচভাগৰ এভাগ বেছলৈ দি তাক মোকলাব পাৰে। মোকলোৱা নহ'লে, নিৰূপণ কৰা মূল্যত তাক বেচা যাব।
২৮ তথাপি মানুহ বা পশু হওক বা নিজ আধিপত্যৰ মাটিয়েই হওক, যি কোনো মানুহে নিজৰ সৰ্ব্বস্বৰ পৰা যিহোৱাৰ উদ্দেশ্যে বৰ্জিত কৰি দিয়ে, সেই বৰ্জিত বস্তু বেচা মোকলোৱা নাযাব; প্ৰত্যেক বৰ্জিত বস্তু যিহোৱাৰ উদ্দেশ্যে পবিত্ৰ।
২৯ মানুহৰ মাজত যাক বৰ্জিত কৰি দিয়া হয়, সেই বৰ্জিত লোকক মোকলোৱা নাযাব; নিশ্চয়ে তেওঁক বধ কৰা হ'ব।
৩০ আৰু ভুমিৰ শস্য বা গছৰ গুটিয়েই হওক, ভুমিৰ উৎপন্ন সকলো বস্তুৰ দশম ভাগ যিহোৱাৰ হ'ব; সেয়ে যিহোৱাৰ উদ্দেশ্যে

পবিত্ৰ। ৩১ আৰু যদি কোনোৱে নিজৰ দশম ভাগৰ কিছু মোকলাব
খোজে, তেন্তে তেওঁ তাৰ পাঁচভাগৰ এভাগ বেছিকৈ দিব। ৩২ আৰু গৰু
বা মেৰ বা ছাগলীৰ জাকৰ আটাই দশমভাগ, লাখুটিৰ তলেদি যোৱা
সকলৰ দশমভাগ যিহোৱাৰ উদ্দেশ্যে পবিত্ৰ হ'ব। ৩৩ তাৰ ভাল বেয়া
বিচাৰ নকৰিব আৰু তাক নসলাব। কিন্তু যদি তেওঁ কোনো প্ৰকাৰে
তাক সলায়, তেন্তে সেইটো আৰু সলনি দিয়াটো দুয়োটাও পবিত্ৰ হ'ব।
তাক মোকলোৱা নাযাব'।" ৩৪ এইবোৰ আজ্ঞাই ইস্ৰায়েলৰ সন্তান
সকলৰ বাবে যিহোৱাই চীনয় পৰ্ব্বতত মোচিক দিছিল।

# গণনা পুস্তক

১ পাছত মিচৰ দেশৰ পৰা লোকসকল ওলাই যোৱাৰ দ্বিতীয় বছৰৰ
দ্বিতীয় মাহৰ প্ৰথম দিনা, চীনয় মৰুভূমিত সাক্ষাৎ কৰা তম্বুত যিহোৱাই
মোচিক ক'লে, ২ "তোমালোকে গোষ্ঠী অনুসাৰে আৰু পিতৃ বংশৰ
নামৰ সংখ্যা অনুসাৰে ইস্ৰায়েলৰ সন্তানসকলৰ গোটেই মণ্ডলীৰ
প্ৰত্যেক জনৰ নাম অনুসাৰে গণনা কৰা। ৩ বিশ বছৰ আৰু তাতকৈ
অধিক বয়সীয়া যিমান পুৰুষ ইস্ৰায়েলৰ মাজত যুদ্ধলৈ যাব পৰা
অৱস্থাত আছে, তেওঁলোকৰ সৈন্যদল অনুসাৰে তুমি আৰু হাৰোণে
তেওঁলোকক গণনা কৰা। ৪ প্ৰত্যেক ফৈদৰ এজন এজন লোক,
নিজ নিজ পিতৃবংশৰ প্ৰধান লোক, তেওঁলোকৰ নিজ নিজ ফৈদৰ
বিষয়া হিচাবে তোমালোকৰ লগত সহায় কৰোঁতা হ'ব লাগিব। সেই
প্ৰত্যেকজন বিষয়াই নিজ নিজ ফৈদৰ অনুসাৰে যুদ্ধ কৰিবলৈ নেতৃত্ব
দিব। ৫ যি সকল লোকে তোমালোকক সহায় কৰিবলৈ আহিব,
সেই সহায় কৰোঁতা লোকসকলৰ নামবোৰ হ'ল: ৰূবেণ ফৈদৰ পৰা
চদেয়ূৰৰ পুত্ৰ ইলীচূৰ। ৬ চিমিয়োন ফৈদৰ পৰা চূৰীচদ্দয়ৰ পুত্ৰ
চলমীয়েল। ৭ যিহূদা ফৈদৰ পৰা অম্মীনাদবৰ পুত্ৰ নহচোন। ৮ ইচাখৰ
ফৈদৰ পৰা চূৱাৰৰ পুত্ৰ নথনেল। ৯ জবূলূন ফৈদৰ পৰা হেলোনৰ
পুত্ৰ ইলীয়াব। ১০ যোচেফৰ সন্তানসকলৰ মাজত ইফ্ৰয়িম ফৈদৰ
পৰা অম্মীহূদৰ পুত্ৰ ইলীচামা, আৰু আন এজন হ'ল, মনচি ফৈদৰ
পৰা পদাচূৰৰ পুত্ৰ গম্লীয়েল। ১১ বিন্যামীন ফৈদৰ পৰা গিদিয়োনীৰ
পুত্ৰ অবীদান। ১২ দান ফৈদৰ পৰা অম্মীচদ্দয়ৰ পুত্ৰ অহীয়েজৰ।
১৩ আচেৰ ফৈদৰ পৰা আক্ৰণৰ পুত্ৰ পগীয়েল। ১৪ গাদ ফৈদৰ
পৰা দুৱেলৰ পুত্ৰ ইলিয়াচফ। ১৫ নপ্তালী ফৈদৰ পৰা ঐননৰ পুত্ৰ
অহীৰা। ১৬ এইসকল লোকেই মণ্ডলীৰ আমন্ত্ৰিত লোক আছিল।
তেওঁলোক নিজ নিজ পিতৃ-বংশৰ অধ্যক্ষ আৰু ইস্ৰায়েলৰ গোষ্ঠীসকলৰ
প্ৰধান লোক। ১৭ তেতিয়া মোচি আৰু হাৰোণে নামেৰে উল্লেখ কৰা
সেই লোকসকলক লগত ল'লে, ১৮ আৰু তেওঁলোকৰ সৈতে দ্বিতীয়
মাহৰ প্ৰথম দিনাই গোটেই মণ্ডলীক গোটালে। তেতিয়া মণ্ডলীৰ
লোকসকলে নিজ নিজ গোষ্ঠী অনুসাৰে আৰু পিতৃ-বংশমতে বিশ বছৰ

আৰু তাতকৈ অধিক বয়সীয়া লোকসকলৰ নাম আৰু তেওঁলোকৰ সংখ্যা অনুসাৰে সকলোৱে বংশাৱলী নামাকৰণ কৰিলে। ১৯ এইদৰে মোচিয়ে যিহোৱাৰ আজ্ঞা অনুসাৰে চীনয় মৰুভূমিত তেওঁলোকৰ গণনা কৰিলে। ২০ ইস্ৰায়েলৰ প্ৰথমে জন্মা ৰূবেণ গোষ্ঠীৰ পৰা সকলো লোকক গণনা কৰা হ'ল, আৰু পূৰ্বপুৰুষ আৰু পৰিয়ালৰ নথি অনুসাৰে প্ৰতিজন বিশ বছৰ বা তাতকৈ অধিক বয়সীয়া যুদ্ধলৈ যাব পৰা লোক। ২১ ৰূবেণ ফৈদৰ পৰা গণনা কৰা সেই লোকসকলৰ সংখ্যা ছয়চল্লিশ হাজাৰ পাঁচশ জন আছিল। ২২ চিমিয়োনৰ গোষ্ঠীৰ পৰা সকলো লোকক গণনা কৰা হ'ল, আৰু এওঁলোক পূৰ্বপুৰুষৰ বংশৰ আৰু পৰিয়ালৰ নথিৰ পৰা যুদ্ধলৈ যাব পৰা বিশ বছৰ বা তাতকৈ অধিক বয়সীয়া লোক। ২৩ চিমিয়োনৰ সেই ফৈদৰ পৰা গণনা কৰা সেই লোকসকলৰ সংখ্যা ঊনষাঠি হাজাৰ তিনিশ জন আছিল। ২৪ গাদ গোষ্ঠীৰ সকলো লোকেক গণনা কৰা হ'ল আৰু এওঁলোক প্ৰতিজনে পূৰ্বপুৰুষৰ বংশ আৰু পৰিয়ালৰ নথি অনুসাৰে বিশ বছৰ আৰু তাতকৈ অধিক বয়সীয়া, যুদ্ধলৈ যাব পৰা লোক। ২৫ গাদৰ ফৈদৰ পৰা গণনা কৰা সেই লোকসকলৰ সংখ্যা পঞ্চল্লিশ হাজাৰ ছশ পঞ্চাশ জন আছিল। ২৬ যিহূদা গোষ্ঠীৰ সকলো লোকেক গণনা কৰা হ'ল আৰু এওঁলোক প্ৰতিজনে পূৰ্বপুৰুষৰ বংশ আৰু পৰিয়ালৰ নথি অনুসাৰে বিশ বছৰ আৰু তাতকৈ অধিক বয়সীয়া, যুদ্ধলৈ যাব পৰা লোক। ২৭ যিহূদা ফৈদৰ গণনা কৰা সেই লোকসকলৰ সংখ্যা চৌসত্তৰ হাজাৰ ছশ জন আছিল। ২৮ ইচাখৰ গোষ্ঠীৰ সকলো লোকেক গণনা কৰা হ'ল আৰু এওঁলোক প্ৰতিজনে পূৰ্বপুৰুষৰ বংশ আৰু পৰিয়ালৰ নথি অনুসাৰে বিশ বছৰ আৰু তাতকৈ অধিক বয়সীয়া, যুদ্ধলৈ যাব পৰা লোক। ২৯ ইচাখৰ ফৈদৰ পৰা গণনা কৰা সেই লোকসকলৰ সংখ্যা চৌৱন্ন হাজাৰ চাৰিশ আছিল। ৩০ জবূলূন গোষ্ঠীৰ সকলো লোকেক গণনা কৰা হ'ল আৰু এওঁলোক প্ৰতিজনে পূৰ্বপুৰুষৰ বংশ আৰু পৰিয়ালৰ নথি অনুসাৰে বিশ বছৰ আৰু তাতকৈ অধিক বয়সীয়া, যুদ্ধলৈ যাব পৰা লোক। ৩১ জবূলূন ফৈদৰ পৰা গণনা কৰা সেই লোকসকলৰ সংখ্যা সাতাৱন হাজাৰ চাৰিশ আছিল। ৩২ যোচেফৰ সন্তান ইফ্ৰয়িম গোষ্ঠীৰ সকলো

লোককে গণনা কৰা হ'ল আৰু এওঁলোক প্ৰতিজনে পূৰ্বপুৰুষৰ বংশ
আৰু পৰিয়ালৰ নথি অনুসাৰে বিশ বছৰ আৰু তাতকৈ অধিক বয়সীয়া,
যুদ্ধলৈ যাব পৰা লোক। ৩৩ ইফ্ৰয়িম ফৈদৰ পৰা গণনা কৰা সেই
লোকসকলৰ সংখ্যা চল্লিশ হাজাৰ পাঁচ শ আছিল। ৩৪ মনচিৰ গোষ্ঠীৰ
সকলো লোককে গণনা কৰা হ'ল আৰু এওঁলোক প্ৰতিজনে পূৰ্বপুৰুষৰ
বংশ আৰু পৰিয়ালৰ নথি অনুসাৰে বিশ বছৰ আৰু তাতকৈ অধিক
বয়সীয়া, যুদ্ধলৈ যাব পৰা লোক। ৩৫ মনচি ফৈদৰ পৰা গণনা কৰা
সেই লোকসকলৰ সংখ্যা বত্ৰিশ হাজাৰ দুশ আছিল। ৩৬ বিন্যামীন
গোষ্ঠীৰ সকলো লোককে গণনা কৰা হ'ল আৰু এওঁলোক প্ৰতিজনে
পূৰ্বপুৰুষৰ বংশ আৰু পৰিয়ালৰ নথি অনুসাৰে বিশ বছৰ আৰু তাতকৈ
অধিক বয়সীয়া, যুদ্ধলৈ যাব পৰা লোক। ৩৭ বিন্যামীন ফৈদৰ পৰা
গণনা কৰা সেই লোকসকলৰ সংখ্যা পঁয়ত্ৰিশ হাজাৰ চাৰিশ আছিল।
৩৮ দান গোষ্ঠীৰ সকলো লোককে গণনা কৰা হ'ল আৰু এওঁলোক
প্ৰতিজনে পূৰ্বপুৰুষৰ বংশ আৰু পৰিয়ালৰ নথি অনুসাৰে বিশ বছৰ আৰু
তাতকৈ অধিক বয়সীয়া, যুদ্ধলৈ যাব পৰা লোক। ৩৯ দান ফৈদৰ পৰা
গণনা কৰা সেই লোকসকলৰ সংখ্যা বাষষ্ঠি হাজাৰ সাত শ আছিল।
৪০ আচেৰ গোষ্ঠীৰ সকলো লোককে গণনা কৰা হ'ল আৰু এওঁলোক
প্ৰতিজনে পূৰ্বপুৰুষৰ বংশ আৰু পৰিয়ালৰ নথি অনুসাৰে বিশ বছৰ আৰু
তাতকৈ অধিক বয়সীয়া, যুদ্ধলৈ যাব পৰা লোক। ৪১ আচেৰ ফৈদৰ
পৰা গণনা কৰা সেই লোকসকলৰ সংখ্যা আছিল একচল্লিশ হাজাৰ
পাঁচশ জন। ৪২ নপ্তালী গোষ্ঠীৰ সকলো লোককে গণনা কৰা হ'ল আৰু
এওঁলোক প্ৰতিজনে পূৰ্বপুৰুষৰ বংশ আৰু পৰিয়ালৰ নথি অনুসাৰে
বিশ বছৰ আৰু তাতকৈ অধিক বয়সীয়া, যুদ্ধলৈ যাব পৰা লোক। ৪৩
নপ্তালী ফৈদৰ পৰা গণনা কৰা সেই লোকসকলৰ সংখ্যা তেপন্ন হাজাৰ
চাৰিশ আছিল। ৪৪ মোচি আৰু হাৰোণে এইদৰে আটাই লোককে
গণনা কৰিলে আৰু তেওঁলোকৰ সৈতে ইস্ৰায়েলৰ গোষ্ঠী সমূহক নেতৃত্ব
দিয়া, সেই বাৰ জন অধ্যক্ষকো গণনা কৰিলে। ৪৫ এইদৰে যি সকলে
যুদ্ধলৈ যাব পাৰে, এনে বিশ বছৰ বা তাতকৈ বয়সীয়া ইস্ৰায়েলৰ
সকলো লোকক পৰিয়াল অনুসাৰে গণনা কৰা হ'ল। ৪৬ গণনা কৰা

সেই লোকসকলৰ সংখ্যা ছয় লাখ তিনি হাজাৰ পাঁচশ পঞ্চাশ আছিল।
৪৭ কিন্তু লেবী গোষ্ঠীৰ পৰা হোৱা লেবীয়াসকলক গণনা কৰা নহ'ল।
৪৮ কিয়নো যিহোৱাই মোচিক কৈছিল, ৪৯ 'তুমি লেবী ফৈদক সৰ্বমুঠ
ইস্রায়েলৰ সন্তান সকলৰ মাজত তেওঁলোকক গণনা বা অন্তৰ্ভুক্ত
নকৰিবা।' ৫০ কিন্তু বিধানৰ নিয়ম চন্দুক থকা আবাস, তাৰ সকলো
বস্তু আৰু তাৰ সম্পৰ্কীয় সকলোৰে ওপৰত লেবীয়াসকলক যত্ন লবলৈ
নিযুক্ত কৰিবা। তেওঁলোকে নিয়ম চন্দুকৰ আবাস আৰু তাৰ আটাই
বস্তুৰ ভাৰ বৈ নিব লাগিব। তেওঁলোকে তাৰ পৰিচৰ্যা কৰি আবাসৰ
চাৰিওফালে তম্বু তৰি থাকিব লাগিব। ৫১ আৰু যেতিয়া নিয়ম চন্দুকৰ
আবাসখন আন ঠাইলৈ নিব লগা হয়, তেতিয়া লেবীয়াসকলেহে তাক
খণ্ড-বিখণ্ডকৈ খুলিব। পাছত নিয়ম চন্দুকৰ আবাসখন স্থাপন কৰাৰ
সময়ত তেওঁলোকেই তাক সাজিব। আৰু যি লোক সেই আবাসৰ
ওচৰলৈ আহিব, তেওঁৰ প্ৰাণদণ্ড হ'ব। ৫২ ইস্রায়েলৰ সন্তানসকলে
নিজ নিজ সৈন্যদল অনুসাৰে নিজ নিজ ছাউনিৰ পতাকাৰ গুৰিত, তম্বু
তৰিব লাগিব। ৫৩ কিন্তু ইস্রায়েলৰ লোকসকলৰ ওপৰত মোৰ ক্ৰোধ
নহ'বলৈ, নিয়ম চন্দুক থকা সেই আবাসৰ চাৰিওফালে লেবীয়াসকলে
তম্বু তৰি থাকিব লাগিব। নিয়ম চন্দুক থকা আবাসখন লেবীয়াসকলৰ
জিম্মাত থাকিব।" ৫৪ ইস্রায়েলৰ সন্তানসকলে সেইদৰে এই সকলোকে
কৰিলে। যিহোৱাই মোচিৰ দ্বাৰাই দিয়া আজ্ঞা অনুসাৰে তেওঁলোকে
আটাই কাৰ্য কৰিলে।

২ যিহোৱাই পুনৰায় মোচি আৰু হাৰোণক ক'লে, ২ "ইস্রায়েলৰ সন্তান
সকলে তেওঁলোকৰ নিজ নিজ সৈন্য দলৰ পিতৃ-বংশৰ পতাকাৰ গুৰিৰ
চৰিওফালে তম্বু তৰি থাকিব লাগিব। তেওঁলোকৰ তম্বু সাক্ষাৎ কৰা
তম্বুলৈ মুখ কৰি থাকিব লাগিব। ৩ যিহূদাৰ ছাউনিৰ অধীনত থকা
লোকসকলে নিজ নিজ সৈন্যদল অনুসাৰে, পূৰদিশে থকা সাক্ষাৎ কৰা
তম্বুৰ ফালে অৰ্থাৎ সূৰ্য উদয় হোৱা দিশে তম্বু তৰি যিহূদাৰ পতাকাৰ
চাৰিওফালে থাকিব লাগিব। অম্মীনাদবৰ পুত্ৰ নহচোন যিহূদাৰ সন্তান
সকলৰ অধ্যক্ষ হ'ব। ৪ তেওঁৰ সৈন্য সমূহৰ গণিত লোক আছিল
চৌসত্তৰ হাজাৰ ছশ জন। ৫ তেওঁলোকৰ কাষত ইচাখৰ ফৈদে তম্বু

তৰি থাকিব লাগিব। চূৱাৰৰ পুত্ৰ নথনেলে ইচাখৰৰ সন্তান সকলৰ অধ্যক্ষ হ'ব। ৬ নথনেলৰ সৈন্যৰ সংখ্যা আছিল চৌৱন্ন হাজাৰ চাৰিশ। ৭ ইচাখৰৰ গোষ্ঠীৰ কাষত জবূলূনৰ গোষ্ঠীয়ে ছাউনি পাতিব লাগিব। হেলোনৰ পুত্ৰ ইলীয়াব জবূলূনৰ সন্তান সকলৰ অধ্যক্ষ হ'ব। ৮ জবূলূনৰ সৈন্যৰ সংখ্যা আছিল সাতাৱন হাজাৰ চাৰিশ। ৯ যিহূদাৰ ছাউনিৰ গণিত লোক, নিজ নিজ সৈন্যদল অনুসাৰে, সৰ্ব্বমুঠ আছিল এক লাখ ছয়াশী হাজাৰ চাৰিশ জন। প্ৰথমে তেওঁলোকে ছাউনিৰ পৰা প্ৰস্থান কৰিব। ১০ দক্ষিণ দিশে থকা সৈন্যদলবোৰে ৰূবেণৰ ছাউনিৰ পতাকাৰ চাৰিওফালে থাকিব। চদেয়ূৰৰ পুত্ৰ ইলীচূৰ ৰূবেণৰ সন্তান সকলৰ অধ্যক্ষ হ'ব। ১১ ৰূবেনৰ সৈন্যৰ সংখ্যা আছিল ছয়চল্লিশ হাজাৰ পাঁচশ। ১২ তেওঁলোকৰ কাষত চিমিয়োনৰ গোষ্ঠীয়ে তম্বু তৰি থাকিব। চূৰীচদ্দয়ৰ পুত্ৰ চলমীয়েল চিমিয়োনৰ সন্তান সকলৰ অধ্যক্ষ হ'ব। ১৩ চিমিয়োনৰ সৈন্যৰ সংখ্যা আছিল ঊনষাঠি হাজাৰ তিনিশ। ১৪ তেওঁলোকৰ কাষত গাদৰ ফৈদ থাকিব। ৰূৱেলৰ পুত্ৰ ইলিয়াচফ গাদৰ সন্তান সকলৰ অধ্যক্ষ হ'ব। ১৫ গাদৰ সৈন্যৰ সংখ্যা আছিল পঞ্চল্লিশ হাজাৰ ছশ পঞ্চাশ। ১৬ ৰূবেণৰ ছাউনিৰ গণিত লোক, নিজ নিজ সৈন্যদল অনুসাৰে, সৰ্ব্বমুঠ আছিল এক লাখ একাৱন্ন হাজাৰ চাৰিশ পঞ্চাশ জন। তেওঁলোকে দ্বিতীয় হৈ ছাউনিৰ পৰা প্ৰস্থান কৰিব। ১৭ তেওঁলোকৰ সৈন্যদলৰ পাছত ছাউনিবোৰৰ মাজত লেবীয়াসকলৰ ছাউনি ৰাখি, সাক্ষাৎ কৰা তম্বু নিয়া হ'ব; প্ৰতিজনে যি দৰে তম্বু তৰে, সেই দৰে নিজ নিজ শ্ৰেণীত থাকি, নিজ নিজ পতাকাৰ কাষে কাষে প্ৰস্থান কৰিব। ১৮ সাক্ষাৎ কৰা তম্বুৰ পশ্চিম দিশে, নিজ নিজ সৈন্যদল অনুসাৰে, ইফ্ৰয়িমৰ ফৈদে ছাউনি পাতি থাকিব। অম্মীহূদৰ পুত্ৰ ইলীচামা ইফ্ৰয়িমৰ সন্তান সকলৰ অধ্যক্ষ হ'ব। ১৯ ইফ্ৰয়িমৰ সৈন্যৰ সংখ্যা আছিল চল্লিশ হাজাৰ পাঁচ শ। ২০ তেওঁলোকৰ কাষত মনচিৰ ফৈদ থাকিব। পদাচূৰৰ পুত্ৰ গম্লীয়েল মনচিৰ সন্তান সকলৰ অধ্যক্ষ হ'ব। ২১ মনচিৰ সৈন্যৰ সংখ্যা আছিল বত্ৰিশ হাজাৰ দুশ। ২২ তেওঁলোকৰ পাছত আহিব বিন্যামীনৰ ফৈদ। গিদিয়োনীৰ পুত্ৰ অবীদান বিন্যামীনৰ সন্তান সকলৰ অধ্যক্ষ হ'ব। ২৩ বিন্যামীনৰ সৈন্যৰ সংখ্যা

আছিল পঁয়ত্ৰিশ হাজাৰ চাৰিশ। ২৪ ইফ্ৰয়িমৰ ছাউনিৰ গণিত লোক,
নিজ নিজ সৈন্যদল অনুসাৰে, সৰ্ব্বমুঠ আছিল এক লাখ আঠ হাজাৰ
এশ জন। তেওঁলোকে তৃতীয় হৈ প্ৰস্থান কৰিব। ২৫ সাক্ষাৎ কৰা তম্বুৰ
উত্তৰ দিশে দানৰ সৈন্যদলে তেওঁলোকৰ পতাকাৰ চাৰিওফালে ছাউনি
পাতিব। অম্মীচদ্দয়ৰ পুত্ৰ অহীয়েজৰ দানৰ সন্তান সকলৰ অধ্যক্ষ
হ'ব। ২৬ দানৰ সৈন্যৰ সংখ্যা আছিল বাষষ্ঠি হাজাৰ সাতশ। ২৭
তেওঁলোকৰ কাষতে আচেৰৰ ফৈদে তম্বু তৰি থাকিব। আক্ৰণৰ পুত্ৰ
পগীয়েল আচেৰৰ সন্তান সকলৰ অধ্যক্ষ হ'ব; ২৮ আচেৰৰ সৈন্যৰ
সংখ্যা আছিল একচল্লিশ হাজাৰ পাঁচ শ। ২৯ তেওঁলোকৰ পাছত
আহিব নপ্তালীৰ গোষ্ঠী। ঐননৰ পুত্ৰ অহীৰা নপ্তালীৰ সন্তান সকলৰ
অধ্যক্ষ হ'ব; ৩০ নপ্তালীৰ সৈন্যৰ সংখ্যা আছিল তেপন্ন হাজাৰ চাৰিশ।
৩১ দানৰ ছাউনিৰ গণিত লোক সৰ্ব্বমুঠ আছিল একলাখ সাতাৱন
হাজাৰ ছশ জন। তেওঁলোকে ছাউনিৰ পৰা নিজ নিজ পতাকা লৈ,
শেষত প্ৰস্থান কৰিব।" ৩২ ইস্ৰায়েলৰ সন্তান সকলৰ পিতৃ-বংশৰ
সৰ্ব্বমুঠ ছয় লাখ তিনি হাজাৰ পাঁচশ পঞ্চাশ জন সৈন্যদল অনুসাৰে
ছাউনিবোৰৰ গণিত লোক আছিল। ৩৩ কিন্তু যিহোৱাই মোচিক দিয়া
আজ্ঞা অনুসাৰে, লেবীয়াসকলক ইস্ৰায়েলৰ সন্তান সকলৰ মাজত
গণনা কৰা নহ'ল। ৩৪ যিহোৱাই মোচিৰ দ্বাৰা দিয়া আজ্ঞা অনুসাৰে
ইস্ৰায়েলৰ সন্তান সকলে সেই সকলো কাৰ্য কৰিলে। তেওঁলোকে নিজ
নিজ গোষ্ঠী আৰু পিতৃ-বংশ অনুসাৰে নিজ নিজ পতাকাৰ তলত তম্বু
তৰিলে আৰু সেই দৰেই প্ৰস্থান কৰিলে।

৩ যি কালত যিহোৱাই চীনয় পৰ্বতত মোচিক কথা কৈছিল, সেই
সময়ৰ হাৰোণ আৰু মোচিৰ বংশৰ জীৱনি এয়ে। ২ হাৰোণৰ পুত্ৰসকলৰ
মাজত প্ৰথমে জন্ম পোৱা জনৰ নাম নাদব, তাৰ পাছত অবীহূ,
ইলিয়াজৰ আৰু ঈথামৰ। ৩ পুৰোহিতৰ কৰ্ম কৰিবলৈ যিসকলক তেওঁ
নিযুক্ত কৰিছিল, সেই অভিষিক্ত পুৰোহিত হাৰোণৰ পুত্ৰসকলৰ নাম
এয়ে। ৪ কিন্তু নাদব আৰু অবীহূৱে চীনয় পৰ্ব্বতৰ মৰুপ্ৰান্তত যিহোৱাৰ
আগলৈ অগ্ৰহণীয় সাধাৰণ জুই নিওতে যিহোৱাৰ আগতে প্ৰাণ ত্যাগ
কৰিলে। নাদব আৰু অবীহূৰ কোনো সন্তান নাছিল, এই হেতুকে,

ইলিয়াজৰ আৰু ঈথামৰে নিজ পিতৃ হাৰোণৰ সৈতে পুৰোহিতৰ কৰ্ম
কৰিলে। ৫ যিহোৱাই মোচিক কথা কৈছিল। তেওঁ কৈছিল, ৬ “হাৰোণ
পুৰোহিতৰ পৰিচৰ্যাত সহায় কৰিবলৈ, তুমি লেবীৰ ফৈদক তেওঁৰ
সন্মুখলৈ আনা। ৭ আবাসৰ পৰিচৰ্যা কৰি, সাক্ষাৎ কৰা তম্বুৰ আগত
হৰোণৰ আৰু গোটেই ইস্ৰায়েলৰ হৈ যি যি কৰিবলগীয়া আছে, সেয়া
তেওঁলোকে সম্পন্ন কৰিব লাগিব। ৮ আবাসৰ কাৰ্য কৰি সাক্ষাৎ
কৰা তম্বুৰ আটাই বস্তুৰ বাবে যি যি যত্ন ল’ব লগীয়া আৰু ইস্ৰায়েলৰ
সন্তান সকলৰ যি যি কৰিব লগীয়া, তাত তেওঁলোকে সহায় কৰিব
লাগিব। ৯ আৰু তুমি লেবীয়াসকলক হাৰোণ আৰু তেওঁৰ পুত্ৰসকলক
দিবা। ইস্ৰায়েলৰ সন্তান সকলৰ পৰিচৰ্যাত সহায় কৰিবলৈ সম্পূৰ্ণৰূপে
তেওঁলোকক তেওঁলৈ দিয়া হ’ল। ১০ তুমি হাৰোণক আৰু তেওঁৰ
পুত্ৰসকলক পুৰোহিত ৰূপে নিযুক্ত কৰিবা, কিন্তু আন বংশৰ যিকোনো
লোক ওচৰলৈ আহিলে তেওঁৰ প্ৰাণদণ্ড হ’ব।” ১১ যিহোৱাই মোচিক
কথা কৈছিল। তেওঁ কৈছিল, ১২ “চোৱা, মই ইস্ৰায়েলৰ সন্তান সকলৰ
মাজৰ পৰা লেবীয়াসকলক ল’লো। ইস্ৰায়েলৰ সন্তান সকলৰ মাজত
গৰ্ভভেদ কৰি অহা প্ৰথমে জন্ম পোৱা সকলৰ সলনি লবলৈ মই ইয়াকে
কৰিলোঁ। এই হেতুকে লেবীয়াসকল মোৰেই হ’ব। ১৩ কিয়নো সকলো
প্ৰথমে জন্ম পোৱা সকল মোৰেই। যিদিনা মিচৰ দেশত সকলো প্ৰথমে
জন্ম পোৱা সকলক ধ্বংস কৰিছিলোঁ, সেই দিনাই মানুহৰ পৰা জীৱ-
জন্তুলৈকে ইস্ৰায়েলৰ আটাই প্ৰথমে জন্ম পোৱা সকলক মোৰ অৰ্থে
পবিত্ৰ কৰিলোঁ। এতেকে সেই সকলো মোৰেই হ’ব। মই যিহোৱা।”
১৪ চীনয় মৰুপ্ৰান্তত যিহোৱাই মোচিক কৈছিল। তেওঁ কৈছিল, ১৫
“তুমি নিজ নিজ পিতৃ-বংশ আৰু গোষ্ঠী অনুসাৰে লেবীৰ সন্তান সকলক
গণনা কৰা। এমহীয়া আৰু তাতকৈ অধিক বয়সীয়া আটাই পুৰুষক
গণনা কৰিবা।” ১৬ তাতে মোচিয়ে যেনেকৈ যিহোৱাৰ পৰা আজ্ঞা
পালে, তেনেকৈ যিহোৱাৰ বাক্যৰ দৰেই তেওঁলোকক গণনা কৰিলে।
১৭ লেবীৰ পুত্ৰসকলৰ নাম আছিল গেৰ্চোন, কহাৎ আৰু মৰাৰী। ১৮
আৰু নিজ নিজ বংশ অনুসাৰে গেৰ্চোনৰ পুতেক সকলৰ নাম লিবনী
আৰু চিমিয়ী আছিল। ১৯ আৰু নিজ নিজ বংশ অনুসাৰে কহাতৰ

পুতেক সকলৰ নাম অম্ৰম, যিচহৰ, হিব্ৰোণ আৰু উজ্জীয়েল। ২০ আৰু নিজ নিজ বংশ অনুসাৰে মৰাৰীৰ পুতেক সকলৰ নাম মহলী আৰু মুচী। নিজ নিজ পিতৃ-বংশ অনুসাৰে এই সকলেই লেবীয়াসকলৰ বংশ। ২১ গেৰ্চোনৰ পৰা লিবনীয়া সকলৰ বংশ আৰু চিমিয়ীয়া সকলৰ বংশ উৎপন্ন হ'ল। এওঁলোকেই হ'ল গেৰ্চোনীয়া সকলৰ বংশ। ২২ এওঁলোকৰ এমহীয়া আৰু তাতকৈ অধিক বয়সীয়া আটাই পুৰুষকে গণনা কৰা হ'ল, এওঁলোকৰ গণিত লোক সাত হাজাৰ পাঁচশ জন আছিল। ২৩ গেৰ্চোনীয়া সকলৰ দুই বংশই আবাসৰ পশ্চিম দিশে তম্বু তৰি থাকিব। ২৪ লায়েলৰ পুত্ৰ ইলিয়াচফ গেৰ্চোনীয়া সকলৰ পিতৃ-বংশৰ অধ্যক্ষ হ'ব। ২৫ গেৰ্চোনৰ পৰিয়ালে আবাসৰ আৱৰণৰ ভিতৰত থকা সাক্ষাৎ কৰা তম্বুৰ দুৱাৰৰ পৰ্দ্দাৰ যত্ন ল'ব। পৰ্দা তম্বু, তাৰ আৱৰণ আৰু প্ৰবেশ দুৱাৰৰ পৰ্দাবোৰৰ যত্ন ল'ব। ২৬ আবাসৰ আৰু যজ্ঞবেদীৰ চাৰিওফালে থকা চোতালৰ আঁৰ কাপোৰবোৰ আৰু তাৰ দুৱাৰৰ পৰ্দ্দাবোৰৰ যত্ন ল'ব। তাৰ আটাই কামৰ ৰছী, সাক্ষাৎ কৰা তম্বুৰ এই সকলো বস্তু তেওঁলোকৰ জিম্মাত থাকিব। ২৭ কহাতৰ পৰা অম্ৰীময়া সকলৰ বংশ, যিচহৰীয়া সকলৰ বংশ, হিব্ৰোণীয়া সকলৰ বংশ আৰু উজ্জীয়েলীয়া সকলৰ বংশৰ জন্ম হ'ল; এই সকলো কহাতীয়া সকলৰ গোষ্ঠী। ২৮ এওঁলোকৰ এমহীয়া আৰু তাতকৈ অধিক বয়সীয়া আটাই পুৰুষৰ সংখ্যা আঠ হাজাৰ ছশ জন, পবিত্ৰ স্থানৰ যি যি কৰিবলগীয়া, তাক এওঁলোকেই কৰিব। ২৯ কহাতৰ সন্তান সকলৰ বংশবোৰে আবাসৰ দক্ষিণফালে তম্বু কৰি থাকিব। ৩০ আৰু উজ্জীয়েলৰ পুত্ৰ ইলিচাফন কহাতীয়া গোষ্ঠী সকলৰ পিতৃ-বংশৰ অধ্যক্ষ হ'ব। ৩১ আৰু চন্দুক, মেজ, দীপাধাৰ বেদীবোৰ, পবিত্ৰ স্থানৰ পৰিচৰ্যা কৰা আটাই বস্তুবোৰ যত্ন ল'ব। আৰু আঁৰ কৰি ৰখা বস্ত্ৰবোৰ তেওঁলোকৰ জিম্মাত থাকিব আৰু তাৰ সম্পৰ্কীয় সকলো কাৰ্য তেওঁলোকে কৰিব। ৩২ আৰু হাৰোণ পুৰোহিতৰ পুত্ৰ ইলিয়াজৰ লেবীয়া সকলৰ অধ্যক্ষৰো অধ্যক্ষ হ'ব। যিসকলৰ জিম্মাত পবিত্ৰ স্থান থাকিব, তেওঁলোকৰ ওপৰত তেওঁ নিযুক্ত হ'ব। ৩৩ মৰাৰীৰ পৰা মহলীয়া সকলৰ বংশ আৰু মুচীয়া সকলৰ বংশ উৎপন্ন হ'ল। এওঁলোকেই মৰাৰীয়া সকলৰ গোষ্ঠী। ৩৪

এওঁলোকৰ এমাহ আৰু তাতকৈ অধিক বয়সীয়া আটাই পুৰুষৰ সংখ্যা
ছয় হাজাৰ দুশ জন। ৩৫ অবীহয়িলৰ পুত্ৰ চুৰীয়েল মৰাৰীৰ গোষ্ঠী
সকলৰ পিতৃ-বংশৰ অধ্যক্ষ হ'ব। তেওঁলোকে আবাসৰ উত্তৰফালে
কাষত তম্বু তৰি থাকিব। ৩৬ আবাসৰ তক্তা, তাৰ ডাং, তাৰ খুঁটা, তাৰ
চুঙী আৰু তাৰ সকলো বস্তু মৰাৰীৰ সন্তান সকলৰ জিম্মাত থাকিব
আৰু তাৰ সম্পৰ্কীয় আটাই কাৰ্য তেওঁলোকে কৰিব, ৩৭ ইয়াৰ লগতে
চোতালৰ চাৰিওফালে থকা খুটাবোৰ আৰু সেইবোৰৰ চুঙী, খুটি আৰু
ৰছী তেওঁলোকৰ জিম্মাত থাকিব। ৩৮ মোচি, হাৰোণ আৰু তেওঁৰ
পুত্ৰসকলে পূৱফালে আবাসৰ আগত, সূৰ্য উদয় হোৱা ফালে, সাক্ষাৎ
কৰা তম্বুৰ আগত তম্বু তৰি থাকিব। ইস্রায়েলৰ সন্তান সকলৰ পবিত্ৰ
স্থানৰ বিষয়ে যি কৰিব লগীয়া, তাৰ কাৰ্য তেওঁলোকৰ জিম্মাত থাকিব।
বিদেশী যি কোনো লোক তাৰ ওচৰ চাপিলে তেওঁৰ প্ৰাণদণ্ড হ'ব। ৩৯
মোচি আৰু হাৰোণে যিহোৱাৰ আজ্ঞাৰ দৰে নিজ নিজ বংশ অনুসাৰে
যি লেবীয়া সকলক গণনা কৰিলে, লেবীয়া সকলৰ সেই গণিত লোক,
এমহীয়া আৰু তাতকৈ অধিক বয়সীয়া পুৰুষৰ সংখ্যা সৰ্ব্বমুঠ বাইচ
হাজাৰ। ৪০ পাছত যিহোৱাই মোচিক ক'লে, "তুমি ইস্রায়েলৰ সন্তান
সকলৰ মাজৰ, এমহীয়া আৰু তাতকৈ অধিক বয়সীয়া প্ৰথমে জন্ম
পোৱা সকলো পুৰুষক গণনা কৰা আৰু তেওঁলোকৰ নামৰ তালিকা
কৰা। ৪১ আৰু মোৰ অৰ্থে, তুমি ইস্রায়েলৰ সন্তান সকলৰ প্ৰথমে জন্মা
আটাই মানুহৰ সলনি লেবীয়া সকলক গ্ৰহণ কৰা। ময়েই যিহোৱা।
আৰু ইস্রায়েলৰ সন্তান সকলৰ প্ৰথমে জগা আটাই পশুৰ সলনি লেবীয়া
সকলৰ পশুবোৰ গ্ৰহণ কৰা।" ৪২ মোচিয়ে যিহোৱাৰ আজ্ঞা অনুসাৰে
ইস্রায়েলৰ সন্তান সকলৰ মাজৰ প্ৰথমে জন্মা আটাই লোকসকলক
গণনা কৰিলে। ৪৩ তেওঁলোকৰ এমহীয়া আৰু তাতকৈ অধিক বয়সীয়া
প্ৰথমে জন্মা সকলো পুৰুষৰ নামে সৈতে তেওঁ গণনা কৰিলে। তেওঁৰ
গণনাত সংখ্যা বাইশ হাজাৰ দুশ ত্ৰেসত্তৰ জন হ'ল। ৪৪ পাছত
যিহোৱাই মোচিক কথা ক'লে। তেওঁ ক'লে, ৪৫ "তুমি ইস্রায়েলৰ সন্তান
সকলৰ প্ৰথমে জন্মা আটাই লোকৰ সলনি লেবীয়া সকলক লোৱা।
আৰু তেওঁলোকৰ পশুবোৰৰ সলনি লেবীয়া সকলৰ পশুবোৰ লোৱা।

লেবীয়া সকল মোৰেই হ'ব। ময়েই যিহোৱা। ৪৬ তেওঁলোকক মুকলি
কৰিবৰ বাবে, ইস্রায়েলৰ সন্তান সকলৰ প্ৰথমে জন্ম পোৱা সকলৰ
মাজত লেবীয়া সকলৰ সংখ্যাতকৈ বঢ়া যি দুশ ত্ৰেসত্তৰ জন লোক
আছে, ৪৭ তুমি তেওঁলোকৰ সলনি এজন এজনৰ সলনি পাঁচ চেকলকৈ
ল'বা; বিশ গেৰাই এক চেকল হয়। ৪৮ আৰু সেই সংখ্যাতকৈ বৃদ্ধ
লোকসকলক যি ধনেৰে মুকলি কৰা হ'ব, সেই ধন হাৰোণক আৰু
তেওঁৰ পুত্ৰসকলক দিবা।" ৪৯ তেতিয়া লেবীয়া সকলৰ যোগেদি মুকলি
কৰা লোক সকলৰ বাহিৰে যি লোক বাঢ়ি আছিল, তেওঁলোকক মুকলি
কৰা ধন মোচিয়ে সংগ্ৰহ কৰিলে। ৫০ তেওঁ ইস্রায়েলৰ সন্তান সকলৰ
প্ৰথমে জন্ম পোৱা লোকসকলৰ পৰা পবিত্ৰ স্থানৰ চেকল অনুসাৰে
সেই ধন এক হাজাৰ তিনিশ পঁয়ষষ্ঠি চেকল সংগ্ৰহ কৰিলে। ৫১ পাছত
যিহোৱাৰ বাক্য অনুসাৰে মোচিয়ে সকলো কৰিলে, যিহোৱাই যিদৰে
মোচিক আজ্ঞা দিছিল, মোচিয়ে সেই মুকলি কৰা ধন হাৰোণ আৰু
তেওঁৰ পুত্ৰসকলক দিলে।

**4** পাছত যিহোৱাই মোচি আৰু হাৰোণক কথা কৈছিল। তেওঁ ক'লে,
২ "তোমালোকে লেবীৰ সন্তানসকলৰ মাজত নিজ নিজ বংশ আৰু
পিতৃ-বংশ অনুসাৰে কহাতৰ সন্তানসকলৰ লোকপিয়ল গণনা কৰিবলৈ
পৰিচালনা কৰা। ৩ ত্ৰিশ বছৰ বয়সৰ পৰা পঞ্চাশ বছৰ বয়সলৈকে
যিমান পুৰুষ সাক্ষাৎ কৰা তেওঁলোকৰ লেখ লোৱা। তম্বুৰ কাৰ্য কৰিবলৈ
কৰ্মচাৰীবোৰৰ শ্ৰেণীত, এই লোকসকল অন্তৰ্ভুক্ত হ'ব লাগিব। ৪ মোৰ
বাবে সংৰক্ষিত কৰি ৰখা অতিশয় পবিত্ৰ বস্তুৰ বিষয়ে কহাতীয়াসকলে
সাক্ষাৎ কৰা তম্বুৰ কাম কৰিব লাগিব। ৫ যেতিয়া ছাউনি উঠিব লগা
হ'ব, তেতিয়া হাৰোণ আৰু তেওঁৰ পুত্ৰসকলে তম্বুৰ ভিতৰত সোমাই,
আঁৰ কৰি ৰখা প্ৰভেদক বস্ত্ৰ নমাই তাৰে সাক্ষ্য-ফলিৰ চন্দুক ঢাকিব। ৬
তেওঁলোকে তাৰ ওপৰত তহচৰ ছালৰ এক আৱৰণ দিব। তেওঁলোকে
তাৰ ওপৰত সম্পূৰ্ণ নীল বৰণীয়া এখন বস্ত্ৰ মেলি দিব। তেওঁলোকে
তাক বৈ নিবলৈ তাত কানমাৰি সুমুৱাব। ৭ আৰু তেওঁলোকে দৰ্শন
পিঠাৰ মেজৰ ওপৰত এখন নীল বৰণীয়া কাপোৰ পাৰিব। তাৰ
ওপৰত তেওঁলোকে থাল, পিয়লা, বাটি, আৰু পেয় নৈবেদ্য দ্ৰাক্ষাৰসৰ

পাত্ৰ থ'ব। আৰু নিত্য পিঠা সদায় তাৰ ওপৰত ৰাখিব। ৮ সেইবোৰৰ
ওপৰত তেওঁলোকে ৰঙা বৰণীয়া কাপোৰ এখন মেলি দিব আৰু তহচৰ
ছালৰ এক আৱৰণেৰে তাক ঢাকিব। আৰু তেওঁলোকে তাক কঢ়িয়াই
লৈ যাবলৈ তাত কানমাৰি সুমুৱাই দিব। ৯ আৰু এখন নীল বৰণীয়া
কাপোৰ লৈ, দীপাধাৰ, তাৰ প্ৰদীপ, শলাকানি-কটা, এঙেৰুৱা ধৰা আৰু
তাৰ পৰিচৰ্যা কৰা গোটেই তেলৰ পাত্ৰ ঢাকিব। ১০ তাক আৰু তাৰ
সকলো সঁজুলি তহচৰ ছালৰ এক আৱৰণেৰে মেৰাই লৈ এখন বৈ নিয়া
যতনৰ ওপৰত থ'ব। ১১ পাছত তেওঁলোকে সোণৰ বেদীৰ ওপৰত
নীল বৰণীয়া কাপোৰ পাৰি দিব। তহচৰ ছালৰ এক আৱৰণেৰে তাক
ঢাকিব আৰু পাছত বৈ নিয়া কানমাৰি সুমুৱাই দিব। ১২ তেওঁলোকে
পবিত্ৰ স্থানত পৰিচৰ্যা কৰিব লগা সকলো সা-সৰঞ্জাম লৈ, নীল বৰণীয়া
কাপোৰেৰে মেৰাব। আৰু তেওঁলোকে তহচৰ ছালৰ এক আৱৰণেৰে
ঢাকি, তাক বৈ নিয়া যতনৰ ওপৰত ৰাখিব। ১৩ আৰু যজ্ঞ বেদীৰ পৰা
ছাঁই উলিয়াই পেলাই দি, তাৰ ওপৰত এখন বেঙেনা বৰণীয়া কাপোৰ
পাৰিব। ১৪ আৰু তাৰ ওপৰত তাৰ পৰিচৰ্যা কৰিব লগা আটাই সঁজুলি
আদি বেদীৰ সকলো পাত্ৰ ৰাখিব। তেওঁলোকে অৰ্থাৎ আঙঠা-ধৰা,
ত্ৰিশূল, ছাঁই উলিওৱা হেতা, তেজ ছটিওৱা পাত্ৰ, পাছে তেওঁলোকে
তাৰ ওপৰত তহচৰ ছালৰ এক আৱৰণ দি, কানমাৰি সুমুৱাই দি
তাক ঢাকি ৰাখিব। ১৫ ছাউনি উঠিব যাব লগা সময়ত, হাৰোণ
আৰু তেওঁৰ পুত্ৰসকলে পবিত্ৰ স্থান আৰু ইয়াৰ সকলো বস্তু ঢকাৰ
পাছত, কহাতৰ সন্তান সকলে তাক বৈ নিবলৈ আহিব লাগিব। কিন্তু
তেওঁলোকে যদি পবিত্ৰ বস্তুবোৰ স্পৰ্শ কৰে, তেনেহলে তেওঁলোক
মৰিব লাগিব। এইবোৰেই কহাতৰ সন্তান সকলৰ সাক্ষাৎ কৰা তম্বুৰ
বস্তুবোৰ বৈ নিয়া কাম আছিল। ১৬ আৰু প্ৰদীপৰ অৰ্থে তেল, সুগন্ধি
ধূপ, নিত্য ভক্ষ্য নৈবেদ্য, অভিষেকাৰ্থক তেল, হাৰোণ পুৰোহিতৰ
পুত্ৰ ইলিয়াজৰৰ জিম্মাত থাকিব। গোটেই আবাস আৰু তাত থকা
সকলো পবিত্ৰ স্থান আৰু তাৰ সকলো বস্তু তেওঁৰ জিম্মাত থাকিব।”
১৭ এইদৰে যিহোৱাই মোচি আৰু হাৰোণক কথা ক'লে। তেওঁ আৰু
ক'লে, ১৮ “তোমালোকে লেবীয়াসকলৰ মাজৰ পৰা কহাতীয়া গোষ্ঠীৰ

বংশক উচ্ছন্ন হ'বলৈ নিদিবা। ১৯ তেওঁলোকক সুৰক্ষিত কৰি ৰাখিবা, এইবোৰ কৰাৰ দ্বাৰাই তেওঁলোক নমৰিব, কিন্তু জীয়াই থাকিব। যেতিয়া তেওঁলোকে অতি পবিত্ৰ স্থানৰ ওচৰ চাপে, ২০ তেতিয়া কিন্তু তেওঁলোকে মৰা নপৰিবৰ বাবে পবিত্ৰ বস্তুবোৰ খন্তেকৰ বাবে চাবলৈ পবিত্ৰস্থানৰ ভিতৰলৈ নাহিব। হাৰোণ আৰু তেওঁৰ পুত্ৰসকলে ভিতৰত সোমাই কহাতীয়াসকলৰ প্ৰতিজনক নিজ নিজ কৰিবলগীয়া কামত আৰু নিযুক্ত কৰিব।" ২১ যিহোৱাই মোচিক পুনৰ কথা ক'লে। তেওঁ ক'লে, ২২ "তুমি পিতৃ-বংশ আৰু বংশানুসাৰে গেৰ্চোনৰ সন্তানসকলৰো লোকপিয়ল পৰিচালনা কৰিবা। ২৩ ত্ৰিশ বছৰ বয়সৰে পৰা পঞ্চাশ বছৰ বয়সলৈকে যিমান লোক সাক্ষাৎ কৰা তম্বুৰ কাৰ্য কৰিবলৈ কৰ্মকাৰীসকলৰ শ্ৰেণীত সোমায়, তেওঁলোকক গণনা কৰা। ২৪ পৰিচৰ্যা আৰু ভাৰ বৈ লৈ যোৱাই গেৰ্চোনীয়া গোষ্ঠীসকলৰ কাম আছিল। ২৫ তেওঁলোকে আবাসৰ কাপোৰবোৰ সাক্ষাৎ কৰা তম্বু, তাৰ আৱৰণ, তাৰ ওপৰত থকা তহচৰ ছালৰ আৱৰণ, সাক্ষাৎ কৰা তম্বুৰ দুৱাৰৰ পৰ্দা এই সকলো বৈ লৈ যাব লাগিব। ২৬ আবাসৰ আৰু যজ্ঞবেদীৰ চাৰিওফালে থকা চোতালৰ আঁৰ কাপোৰবোৰ আৰু তাৰ দুৱাৰৰ পৰ্দা, সেইবোৰৰ ৰছী আৰু তাৰ কাম কৰা আটাই হাতিয়াৰ, এইবোৰ তেওঁলোকে বব আৰু এইবোৰৰ সম্পৰ্কীয় যি যি কাম কৰিব লগা হ'ব, তাকো কৰিব লাগিব। ২৭ গেৰ্চোনৰ সন্তানসকলৰ সকলো ভাৰ বোৱা কাৰ্য, হাৰোণ আৰু তেওঁৰ পুত্ৰসকলৰ আজ্ঞা অনুসাৰে হ'ব। ভাৰ বোৱা আটাই বস্তু তোমালোকে তেওঁলোকৰ জিম্মালৈ দিবা। ২৮ গেৰ্চোনৰ সন্তানসকলৰ গোষ্ঠীৰ লোকসকলে সাক্ষাৎ কৰা তম্বুৰ কৰিব লগা কাম এয়ে। আৰু তেওঁলোকে কৰিব লগা কাম হাৰোণৰ পুত্ৰ ঈথামৰৰ জিম্মাত থাকিব। ২৯ পাছত নিজ নিজ গোষ্ঠী আৰু পিতৃ-বংশ অনুসাৰে মৰাৰীৰ সন্তানসকলকো তুমি গণনা কৰা, ৩০ ত্ৰিশ বছৰ বয়সৰে পৰা পঞ্চাশ বছৰ বয়সলৈকে যিমান লোক সাক্ষাৎ কৰা তম্বুৰ কাৰ্য কৰিবলৈ কৰ্মকাৰীসকলৰ শ্ৰেণীত সোমায়, তেওঁলোকক গণনা কৰা। ৩১ আৰু সাক্ষাৎ কৰা তম্বুৰ তেওঁলোকৰ সকলো কাৰ্য অনুসাৰে তেওঁলোকৰ জিম্মাত থকা তেওঁলোকে বৈ নিব লগা বস্তু

এই - আবাসৰ তক্তা, তাৰ ডাং, খুঁটা, চুঙী, ৩২ আৰু চোতালৰ চাৰিওফালে থকা খুঁটা, সেইবোৰৰ চুঙী, খুটি, ৰছী আৰু তাৰ আটাই কাৰ্যৰ হাতিয়াৰ; তোমালোকে নাম ধৰি ধৰি, তেওঁলোকে বৈ নিব লগা সকলো বস্তু তেওঁলোকক গতাই দিবা। ৩৩ মৰাৰীৰ সন্তানসকলৰ গোষ্ঠীৰ লোকসকলে তেওঁলোকৰ সকলো কাৰ্য অনুসাৰে সাক্ষাৎ কৰিব লগা তম্বুৰ কৰিব লগা কাৰ্য এয়ে। তেওঁলোকৰ কাৰ্য হাৰোণ পুৰোহিতৰ পুত্ৰ ঈথামৰৰ জিম্মাত থাকিব।” ৩৪ পাছত মোচি, হাৰোণ আৰু মণ্ডলীৰ অধ্যক্ষসকলে কহাতৰ সন্তান সকলৰ গোষ্ঠী আৰু পিতৃ-বংশ অনুসাৰে গণনা কৰিলে। ৩৫ তেওঁলোকৰ মাজৰ পৰা ত্ৰিশ বছৰ বয়সৰে পৰা পঞ্চাশ বছৰ বয়সলৈকে যিমান লোক সাক্ষাৎ কৰা তম্বুৰ কাৰ্য কৰিবলৈ কৰ্মকাৰীসকলৰ শ্ৰেণীত সোমাল, তেওঁলোকক গণনা কৰিলে। ৩৬ তেতিয়া তেওঁলোকৰ গোষ্ঠী অনুসাৰে তেওঁলোকৰ গণিত লোক দুই হাজাৰ সাতশ পঞ্চাশ জন হ'ল। ৩৭ মোচিৰ যোগেদি দিয়া যিহোৱাৰ আজ্ঞা মতে যিসকলক মোচি আৰু হাৰোণে গণনা কৰিলে, সাক্ষাৎ কৰা তম্বুৰ কাম কৰা, কহাতীয়া গোষ্ঠীসকলৰ সেই গণিত লোক এইসকল। ৩৮ গেৰ্চোনৰ সন্তান সকলৰ মাজত, যিসকলক নিজ নিজ গোষ্ঠী আৰু পিতৃ-বংশ অনুসাৰে গণনা কৰা হ'ল, ৩৯ ত্ৰিশ বছৰ বয়সৰ পৰা পঞ্চাশ বছৰ বয়সলৈকে যিমান লোক সাক্ষাৎ কৰা তম্বুৰ কাম কৰিবলৈ কৰ্মকাৰীসকলৰ শ্ৰেণীত সোমাল, ৪০ নিজ নিজ গোষ্ঠী আৰু পিতৃ-বংশ অনুসাৰে তেওঁলোকৰ মাজৰ সেই গণিত লোক দুই হাজাৰ ছশ ত্ৰিশ জন হ'ল। ৪১ যিহোৱাই আজ্ঞা কৰাৰ দৰে মোচি আৰু হাৰোণে যিসকলক গণনা কৰিলে, সাক্ষাৎ কৰা তম্বুৰ কাৰ্য কৰা গেৰ্চোনৰ গোষ্ঠীসকলৰ সেই গণিত লোক এইসকল। ৪২ আৰু মৰাৰীৰ সন্তান সকলৰ গোষ্ঠীসকলৰ মাজত যিসকলক নিজ নিজ গোষ্ঠী আৰু পিতৃ-বংশ অনুসাৰে গণনা কৰা হ'ল, ৪৩ ত্ৰিশ বছৰ বয়সৰ পৰা পঞ্চাশ বছৰ বয়সলৈকে যিমান লোক সাক্ষাৎ কৰা তম্বুৰ কাৰ্য কৰিবলৈ কৰ্মকাৰীসকলৰ শ্ৰেণীত সোমাল, ৪৪ নিজ নিজ গোষ্ঠী অনুসাৰে তেওঁলোকলৰ মাজৰ সেই গণিত লোক তিনি হাজাৰ দুশ জন হ'ল। ৪৫ মোচিৰ যোগেদি যিহোৱাই আজ্ঞা কৰাৰ দৰে মোচি আৰু হাৰোণে

যিসকলক গণনা কৰিলে, মৰাৰীৰ সন্তান সকলৰ গোষ্ঠীসকলৰ সেই
গণিত লোক এইসকল। ৪৬ নিজ নিজ গোষ্ঠী আৰু পিতৃ-বংশ অনুসাৰে,
মোচি, হাৰোণ আৰু ইস্ৰায়েলৰ অধ্যক্ষ সকলে গণনা কৰা, লেবীয়া
লোকসকলৰ যিমান লোকক গণনা কৰা হ'ল, ৪৭ ত্ৰিশ বছৰ বয়সৰ
পৰা পঞ্চাশ বছৰ বয়সলৈকে যিমান লোক সেৱাকৰ্ম কৰিবলৈ, সাক্ষাৎ
কৰা তম্বুৰ ভাৰ বোৱা কাম কৰিবলৈ সোমাল, ৪৮ তেওঁলোকৰ মাজৰ
সেই গণিত লোক আঠ হাজাৰ পাঁচশ আশী জন হ'ল। ৪৯ কি কি কামত
আৰু কি কি ভাৰত কিমান মানুহ লাগিব, তাক যিহোৱাৰ আজ্ঞাৰ দৰে
মোচিৰ যোগেদি গণনা কৰা হ'ল। এইদৰে মোচিক দিয়া যিহোৱাৰ
আজ্ঞা অনুসাৰেই তেওঁলোক তেওঁৰ যোগেদি গণিত হ'ল।

৫ তাৰ পাছত যিহোৱাই মোচিক কলে, ২ "তুমি প্ৰতিজন কুষ্ঠৰোগীক,
আৰু গাৰ ঘাৰ পৰা কিবা বৈ থকা প্ৰতিজন ৰোগীক, আৰু মৰা শ
চুই অশুচি হোৱা প্ৰতিজন লোককে ছাউনিৰ পৰা বাহিৰ কৰিবলৈ,
ইস্ৰায়েলৰ সন্তান সকলক আজ্ঞা দিয়া। ৩ তোমালোকে পুৰুষহে
হওঁক বা স্ত্ৰীয়ে হওঁক, দুয়োকো ছাউনিৰ পৰা বাহিৰ কৰিব লাগিব।
তেওঁলোকে যেন কোনো প্ৰকাৰে ছাউনিবোৰ অশুচি নকৰে সেই বাবে
তেওঁলোকক বাহিৰ কৰা, কিয়নো মই তাত বাস কৰোঁ।" ৪ তেতিয়া
ইস্ৰায়েলৰ সন্তান সকলে তাকে কৰিলে, আৰু যিহোৱাই মোচিক
দিয়া আজ্ঞা অনুসাৰে তেওঁলোকে সেইদৰেই কাৰ্য কৰি ছাউনিৰ পৰা
তেওঁলোকক বাহিৰ কৰি দিলে। ৫ যিহোৱাই মোচিক পুনৰায় ক'লে,
৬ "তুমি ইস্ৰায়েলৰ সন্তান সকলক কোৱা, যেতিয়া কোনো এজন পুৰুষে
হওঁক বা স্ত্ৰীয়েই হওঁক, যদি কোনোবাই মানুহে মানুহক কৰা পাপৰ
দৰে কোনো পাপ কৰি যিহোৱাৰ অহিতে অপৰাধ কৰে, সেই জন ব্যক্তি
দোষী হয়। ৭ তেতিয়া সেই পুৰুষ বা স্ত্ৰীয়ে নিজে কৰা সেই পাপ স্বীকাৰ
কৰিব লাগিব, আৰু যি দোষ কৰিছিল সেই পাপৰ মূল্য সম্পূৰ্ণৰূপে
তাৰ ক্ষতিপূৰণ কৰিব লাগিব; আৰু পাঁচ ভাগৰ এভাগ বেচিকৈ দিব
লাগিব। তেওঁ যাৰ অহিতে দোষ কৰিলে, সেই জন লোকক দিব
লাগিব। ৮ আৰু যাক দোষৰ বাবে ক্ষতিপূৰণ কৰিব লগীয়া, সেই জন
লোকৰ যদি এনে কোনো ওচৰ সম্বন্ধীয়া লোক নাথাকে, তেন্তে যি

প্ৰায়শ্চিত্তৰ মতা মেৰটোৰ দ্বাৰাই তাক প্ৰায়শ্চিত্ত কৰা হ’ব, তেওঁৰ সেই
দোষৰ বাবে যিহোৱাৰ উদ্দেশ্যে কৰিব লগা ক্ষতিপূৰণ পুৰোহিতে
পাব। ৯ আৰু ইস্ৰায়েলৰ সন্তান সকলে তেওঁলোকৰ পবিত্ৰ বস্তুৰ মাজৰ
যিমান উত্তোলনীয় উপহাৰ মোৰ উদ্দেশ্যে পুৰোহিতৰ গুৰিলৈ আনিব,
সেই সকলো সেই পুৰোহিত জনৰ হ’ব। ১০ প্ৰতিজনৰ পবিত্ৰীকৃত
বস্তু তেওঁৰেই হ’ব। যিকোনো বস্তু যেতিয়া কোনো এজন লোকে
পুৰোহিতক দিব, তাকো তেওঁৰেই হ’ব।” ১১ যিহোৱাই মোচিক আকৌ
কলে, ১২ “তুমি ইস্ৰায়েলৰ সন্তানসকলক কোৱা, ‘ধৰি লোৱা কোনো
এজন লোকৰ পত্নীয়ে যদি অবাটে গ’ল আৰু তেওঁৰ বিৰুদ্ধে সত্যলঙ্ঘন
কৰিলে; ১৩ অৰ্থাৎ আন এজন পুৰুষে তাইৰে সৈতে শয়ন কৰিলে;
সেই ক্ষেত্ৰত তাই অশুচি হ’ল; যদিও তাইৰ গিৰীয়েকে নেদেখাকৈ বা
নজনাকৈ বা যদিও তাইৰ সেই কৰ্ম ধৰাত নপৰিল বা তাইৰ অহিতে
সাক্ষী কোনো নাই, ১৪ আৰু নিজ পত্নী অশুচি হ’লে, এই বুলি তাইৰ
প্ৰতি গিৰীয়েকৰ অন্তৰ্জ্বালাযুক্ত মন হ’ব পাৰে, নাইবা নিজ পত্নী অশুচি
নহলেও, মিছাতে তাইৰ প্ৰতি তেওঁৰ অন্তৰ্জ্বালাযুক্ত মন হ’ব পাৰে। ১৫
তেতিয়া এই বোৰ ক্ষেত্ৰত সেই পুৰুষ জনে নিজ পত্নীক পুৰোহিতৰ
ওচৰলৈ আনিব। তেওঁ তাইৰ কাৰণে তাইৰ উপহাৰ, অৰ্থাৎ ঐফাৰ
দহ ভাগৰ এভাগ যৱৰ আটাগুড়ি আনিব। কিন্তু তেওঁ তাৰ ওপৰত
তেল নাঢালিব, আৰু কুন্দুৰু নিদিব; কিয়নো সেয়ে অন্তৰ্জ্বালাৰ ভক্ষ্য
নৈবেদ্য, অপৰাধ সোঁৱৰণ কৰাওঁতা স্মৰণাৰ্থক ভক্ষ্য নৈবেদ্য। ১৬
তেতিয়া পুৰোহিতে সেই মহিলাক আনি যিহোৱাৰ আগত উপস্থিত
কৰিব। ১৭ আৰু পুৰোহিতে মাটিৰ পাত্ৰত পবিত্ৰ জল ৰাখি, আবাসৰ
মজিয়াৰ কিছু ধূলি লৈ, সেই জলত দিব। ১৮ পুৰোহিতে সেই মহিলা
গৰাকীক যিহোৱাৰ আগত উপস্থিত কৰিব আৰু তাইৰ মূৰৰ চুলি মুকলি
কৰিব। আৰু সেই স্মৰণাৰ্থক নৈবেদ্য, অন্তৰ্জ্বালাৰ ভক্ষ্য নৈবেদ্য তাইৰ
হাতত থ’ব, আৰু শাও জন্মাওতা সেই তিতা পানী পুৰোহিতে নিজৰ
হাতত ল’ব। ১৯ আৰু পুৰোহিতে সেই মহিলাক শপত খুৱাব লাগিব,
তেওঁ তাইক ক’ব লাগিব বোলে, “কোনো পুৰুষে যদি তোমাৰে সৈতে
শয়ন কৰা নাই, আৰু তুমি নিজ স্বামীৰ অধীন হৈ অবাটে যোৱা নাই,

তেতিয়াহলে শাও জন্মাওতা এই তিতা পানী তোমালৈ নিষ্ফল হ’ব। ২০
কিন্তু তুমি যদি নিজ স্বামীৰ অধীন হৈয়ো অবাটে গৈ অশুচি হ’লা, আৰু
তোমাৰ স্বামীৰ বাহিৰে আন কোনো পুৰুষে যদি তোমাৰ লগত শয়ন
কৰিলে,’ ২১ এইবোৰ কথা কৈ পুৰোহিতে শাও জন্মাওতা শপতেৰে
সেই মহিলাক শপত খুৱাব, ‘তেন্তে যিহোৱাই তোমাৰ কৰঙন শুকুৱাই
আৰু তোমাৰ পেট উখহাই তোমাৰ লোকসকলৰ মাজত তোমাক শাও
আৰু শপতৰ বিষয় কৰিব; ২২ আৰু এই শাও জন্মাওতা পানী তোমাৰ
পেট উখহাবলৈ আৰু কৰঙন শুকুৱাবলৈ তোমাৰ পেটত সোমাব।”
তেতিয়া সেই মহিলাই উত্তৰ দিব, ‘হয়, যদি মই দোষী, তেনেহলে
এনেই হওঁক।’ ২৩ পুৰোহিতে জনে এইবোৰ শাও এখনি পুথিত
লিখিব আৰু তাৰ পাছত তাক সেই তিতা পানীত তেওঁ ধুই পেলাব
লাগিব। ২৪ তাৰ পাছত পুৰোহিতে সেই শাও জন্মাওতা তিতা পানী
তাইক পান কৰাব; তাতে সেই শাও জন্মাওতা তিতা পানী তাইৰ
পেটত সোমাই তিতা হ’ব। ২৫ পুৰোহিতে সেই মহিলাৰ হাতৰ পৰা
সেই অন্তৰ্জ্বালাৰ ভক্ষ্য নৈবেদ্য নিজ হাতত লৈ যিহোৱাৰ সাক্ষাতে
দোলাই যজ্ঞবেদীৰ ওচৰলৈ আনিব লাগিব। ২৬ আৰু পুৰোহিতে সেই
ভক্ষ্য নৈবেদ্যৰ এমুঠি লৈ, তাৰ স্মৰণাৰ্থক অংশস্বৰূপে যজ্ঞবেদীৰ
ওপৰত দগ্ধ কৰিব; তাৰ পাছত তেওঁ সেই মহিলাক সেই পানী পান
কৰাব। ২৭ আৰু তাই যদি নিজ স্বামীৰ বিৰুদ্ধে কুকৰ্ম কৰি অশুচি হৈছে,
তেন্তে সেই পানী খুউৱাৰ পাছত সেই শাও জন্মাওতা পানী তাইৰ
পেটত সোমাই তিতা হ’ব। তাইৰ পেট উখহিব আৰু কৰঙন শুকাই
যাব। আৰু তাই নিজ লোকসকলৰ মাজত শাওৰ বিষয় হ’ব। ২৮ কিন্তু
যদি সেই মহিলা অশুচি নহৈ, শুচি আছে, তেন্তে তাই শাওৰ পৰা মুক্ত
হ’ব আৰু গৰ্ভধাৰণ কৰিব। ২৯ এয়ে অন্তৰ্জ্বালাযুক্ত বিধি; যেতিয়া
কোনো মহিলাই নিজ স্বামীৰ অধীন হৈয়ো অবাটে গৈ অশুচি হয়, তাইৰ
বাবেই এই বিধি। ৩০ যেতিয়া কোনো মানুহৰ মন অন্তৰ্জ্বালাযুক্ত হৈ,
তেওঁ নিজৰ পত্নীৰ প্ৰতি অন্তৰ্জ্বালাৰে জ্বলে, সেই সময়ত তেওঁ নিজ
পত্নীক যিহোৱাৰ আগত উপস্থিত কৰিব, আৰু পুৰোহিতে তাইৰ বিষয়ে
এই সকলো বিধি পালন কৰিব। ৩১ তেতিয়া নিজ পত্নীক পুৰোহিতৰ

ওচৰলৈ অনাৰ কাৰণে সেই পুৰুষ অপৰাধৰ পৰা মুক্ত হ'ব, আৰু সেই
তিৰোতাই নিজ অপৰাধৰ ফল ভোগ কৰিব'।"

৬ যিহোৱাই মোচিক ক'লে, ২ "তুমি ইস্ৰায়েলৰ সন্তান সকলক কোৱা,
'কোনো পুৰুষ বা স্ত্রীয়ে যেতিয়া যিহোৱাৰ উদ্দেশ্যে বিশেষ নাচৰীয়া
ব্ৰত ধৰিবৰ অৰ্থে পৃথকে থাকিব, ৩ তেতিয়া তেওঁ দ্ৰাক্ষাৰস আৰু
সুৰাপানৰ পৰা নিজকে আতৰত ৰাখিব লাগিব। তেওঁ দ্ৰাক্ষাৰসৰ চিৰ্কা
বা সুৰাৰ চিৰ্কা পান নকৰিব আৰু দ্ৰাক্ষাফলৰ পৰা চেপি উলিওৱা নতুন
ৰসকো পান নকৰিব, বা কেঁচা কি শুকান দ্ৰাক্ষাফলো নাখাব। ৪ তেওঁ
মোৰ উদ্দেশ্যে পৃথকে থকা সকলো কালত, গুটিৰ পৰা বাকলিলৈকে
দ্ৰাক্ষাফলৰে যুগুত কৰা কোনো বস্তু ভোজন নকৰিব। ৫ আৰু ব্ৰত
ধৰি পৃথকে থকা সকলো কালত তেওঁৰ মূৰত ক্ষুৰ নলগাব; যিহোৱাৰ
উদ্দেশ্যে বেলেগে থকা দিনৰ সংখ্যা পূৰ নহয়মানে তেওঁ নিজৰ মূৰৰ
চুলি বাঢ়িবলৈ দিব। ৬ তেওঁ যেতিয়ালৈকে যিহোৱাৰ উদ্দেশ্যে পৃথকে
থাকে, তেতিয়ালৈকে কোনো মৰা শৰৰ ওচৰলৈ নাযাব। ৭ তেওঁৰ
পিতৃৰ বা মাতৃৰ, ককায়েকৰ বা ভনীয়েকৰ মৃত্যুৰ সময়ত, তেওঁ
তেওঁলোকৰ কাৰণে নিজকে অশুচি নকৰিব, কিয়নো তেওঁৰ মূৰৰ
দীঘল চুলি দেখি, তেওঁ নিজ ঈশ্বৰৰ উদ্দেশ্যে যে পৃথকে আছে সেই
বিষয়ে সকলোৱে জানিব। ৮ তেওঁ পৃথকে হৈ থকা সকলো কালত,
যিহোৱাৰ উদ্দেশ্যে পবিত্ৰ হৈ থাকিব। ৯ আৰু যদি কোনো এজন
মানুহৰ অকস্মাৎ তেওঁৰ ওচৰত মৃত্যু হয়, তেতিয়া তেওঁ তেওঁৰ নিজ
পৃথকে থকাৰ চিন অশুচি কৰে। তেতিয়া তেওঁ শুচি হোৱা দিনা,
নিজৰ মূৰ ক্ষুৰাব। সেয়া সপ্তম দিনাই তেওঁ নিজ মূৰৰ চুলি ক্ষুৰাব
লাগিব। ১০ অষ্টম দিনা তেওঁ দুটা কপৌ, বা দুটা পাৰ পোৱালি সাক্ষাৎ
কৰা তম্বুৰ দুৱাৰ-মুখলৈ পুৰোহিতৰ ওচৰলৈ আনিব লাগিব। ১১
তেতিয়া পুৰোহিতে তাৰে এটা পাপাৰ্থক বলিস্বৰূপে, আৰু আনটো
হোম বলিস্বৰূপে উৎসৰ্গ কৰিব। তেতিয়া তেওঁ মৰা শৰৰ ওচৰত থকাৰ
পাপৰ কাৰণে তেওঁক প্ৰায়শ্চিত্ত কৰিব; আৰু সেই দিনাই তেওঁ নিজকে
পুনৰ পবিত্ৰ কৰিব। ১২ তেওঁ নিজকে পুনৰায় যিহোৱাৰ উদ্দেশ্যে
পৃথকে থাকিব লাগিব। তেওঁ দোষাৰ্থক বলিস্বৰূপে এটা এবছৰীয়া

মেৰ-ছাগ পোৱালি আনিব। কিয়নো তেওঁ পূৰ্বতে নিজকে অশুচি কৰালে সেই কাৰণে তেওঁ পূৰ্বতে নিজকে যিহোৱাৰ উদ্দেশ্যে পৃথকে থকা দিনবোৰ গণ্য নহ'ব।
১৩ নাচৰীয়া লোক হৈ পৃথকে থকাৰ কাল পূৰ হলে, তেওঁ পালন কৰিব লগা বিধি এনে- তেওঁক সাক্ষাৎ কৰা তম্বুৰ দুৱাৰ মুখলৈ অনা হ'ব।
১৪ তেওঁ নিজে অনা উপহাৰ যিহোৱালৈ দান কৰিব। তেওঁ হোম বলিৰ কাৰণে গাত কোনো দাগ নথকা এটা এবছৰীয়া মতা মেৰ-ছাগ পোৱালি আৰু পাপাৰ্থক বলিৰ কাৰণে গাত দাগ নথকা এজনী এবছৰীয়া নিঘূণ চেঁউৰী মেৰ-ছাগ পোৱালি, আৰু মঙ্গলাৰ্থক বলিৰ কাৰণে গাত দাগ নথকা এটা নিঘূণ মতা মেৰ-ছাগ দান কৰিব লাগিব;
১৫ আৰু সেই জন্তুবোৰৰ সৈতে একেৰাহি খমিৰ নিদিয়া পিঠা অৰ্থাৎ তেল মিহলোৱা মিহি আটাগুড়িৰ বিন্ধা থকা পিঠা কেইটামান, আৰু খমীৰ নিদিয়া তেল ঢলা পাতল চকলীয়া পিঠা কেইটামান, আৰু তাৰ লগত ভক্ষ্য আৰু পেয় নৈবেদ্য উপহাৰৰ সৈতে এই সকলো উপহাৰ যিহোৱাৰ উদ্দেশ্যে উৎসৰ্গ কৰিবলৈ আনিব।
১৬ তাতে পুৰোহিতে এই সকলো বস্তু যিহোৱাৰ আগলৈ আনিব। তেতিয়া তেওঁৰ পাপাৰ্থক বলি আৰু হোম বলি উৎসৰ্গ কৰিব।
১৭ খমীৰ নিদিয়া পিঠাৰ খৰাহিটোৰে সৈতে মঙ্গলাৰ্থক বলিৰ মেৰ-ছাগটো যিহোৱাৰ উদ্দেশ্যে উৎসৰ্গ কৰিব আৰু তাৰ পাছত পুৰোহিতে তাৰ লগৰ ভক্ষ্য নৈবেদ্য আৰু পেয় নৈবেদ্যও উৎসৰ্গ কৰিব।
১৮ পাছত নাচৰীয়া লোকজনে সাক্ষাৎ কৰা তম্বুৰ দুৱাৰ মুখত নিজে পৃথক হৈ থকাৰ চিন অৰ্থাৎ তেওঁৰ মূৰৰ দীঘল চুলি ক্ষুৰাই, সেই মূৰৰ চুলি লৈ, মঙ্গলাৰ্থক বলিৰ তলত থকা অগ্নিত পেলাই দিব।
১৯ আৰু নাচৰীয়া লোকজনে পৃথকে থকাৰ যি চিন, তাক ক্ষুৰুৱাৰ পাছত, পুৰোহিতে পানীত সিজোৱা মেৰৰ আগ-পিৰাটো, আৰু খৰাহিৰ পৰা খমীৰ নিদিয়া বিন্ধা থকা পিঠা এটা, আৰু খমীৰ নিদিয়া পাতল চাকলিয়া পিঠা এটা লৈ, নাচৰীয়া লোকজনৰ হাতত দিব।
২০ আৰু পুৰোহিতে সেই সকলোকে দোলনীয় নৈবেদ্যস্বৰূপে যিহোৱাৰ সাক্ষাতে তেওঁৰ সন্মুখত দান কৰিব; দোলনীয় আমঠু আৰু উত্তোলনীয় পাছ-পিৰাই সৈতে সেয়ে পুৰোহিতৰ অৰ্থে পবিত্ৰ হ'ব। তাৰ পাছত নাচৰীয়া লোকজনে দ্ৰাক্ষাৰস

পান কৰিব পাৰিব। ২১ নাচৰীয়া ব্ৰত ধৰোঁতা মানুহৰ আৰু পৃথকে
থকাৰ কাৰণে যিহোৱাক দিব লগা তাৰ উপহাৰৰ এয়ে বিধি। ইয়াৰ
বাহিৰে তেওঁ নিজৰ শক্তি অনুসাৰে দিবলৈ আগ কৰে, তাকো দিব
পাৰে; তেওঁ যি ব্ৰত ধৰে, সেই ব্ৰত অনুসাৰে তেওঁ নিজে পৃথকে থকা
বিধি পালন কৰিব লাগে'।" ২২ পাছত যিহোৱাই পুনৰায় মোচিক
ক'লে, "তুমি হাৰোণ আৰু তেওঁৰ পুত্ৰসকলক কোৱা, ২৩ 'তোমালোকে
ইস্ৰায়েলৰ সন্তানসকলক এইদৰে আশীৰ্ব্বাদ কৰিবা। তোমালোকে
তেওঁলোকক এইদৰে ক'বা: ২৪ যিহোৱাই তোমালোকক আশীৰ্ব্বাদ
কৰি ৰাখক। ২৫ যিহোৱাই তেওঁৰ নিজ পোহৰে তোমালোকক উজ্জ্বল
কৰি ৰাখক আৰু তোমালোকৰ প্ৰতি দয়ালু হওঁক। ২৬ যিহোৱাই
তোমালৈ দৃষ্টি কৰক আৰু তোমাক শান্তি দান কৰক।' ২৭ এইদৰে
তেওঁলোকে ইস্ৰায়েলৰ সন্তান সকলৰ ওপৰত মোৰ নাম স্থাপন কৰিব।
তেতিয়া মই তেওঁলোকক আশীৰ্ব্বাদ কৰিম।"

৭ পাছত যি দিনা মোচিয়ে আবাস স্থাপন কৰি সমপন্ন কৰিলে,
তেতিয়া তেওঁ সেই আবাস আৰু তাৰ সকলো বস্তু যিহোৱাৰ বাবে
অভিষেক আৰু পবিত্ৰ কৰিলে। তেওঁ যজ্ঞবেদী আৰু তাৰ সকলো
বস্তু, সকলোকে সঁজুলি অভিষেক আৰু পবিত্ৰ কৰিলে। ২ সেই দিনা
ইস্ৰায়েলৰ অধ্যক্ষসকল, তেওঁলোকৰ পিতৃ-বংশৰ মুখিয়ালসকলে
নিজ নিজ উপহাৰ দান কৰিলে। তেওঁলোক ফৈদবোৰৰ অধ্যক্ষ
আছিল। তেওঁলোক যুদ্ধৰ বাবে গণিত লোকসকলৰ ওপৰত নিযুক্ত
হৈছিল। ৩ তেওঁলোকে যিহোৱাৰ সন্মুখত তেওঁৰ উদ্দেশ্যে নিজ নিজ
উপহাৰ স্বৰূপে ঢাকনি থকা ছখন গাড়ী আৰু বাৰটা ষাঁড়-গৰু আনিলে।
তেওঁলোকে দুজন দুজন অধ্যক্ষলৈ এখন এখন গাড়ী, আৰু প্ৰতিজনৰ
কাৰণে এটা এটা ষাঁড়-গৰু আনি আবাসৰ আগত উপস্থিত কৰিলে। ৪
তেতিয়া যিহোৱাই মোচিক কলে, ৫ "সাক্ষাৎ কৰা তম্বুৰ কামত ব্যৱহাৰ
কৰাৰ কাৰণে, তুমি তেওঁলোকৰ পৰা উপহাৰবোৰ লোৱা। তুমি সেই
সকলোকে লেবীয়াসকলক দিবা, অৰ্থাৎ তেওঁলোকৰ প্ৰতিজনকে নিজ
নিজ কাৰ্য অনুসাৰে দিবা।" ৬ পাছত মোচিয়ে সেই সকলো গাড়ী
আৰু ষাঁড়-গৰুবোৰ লৈ লেবীয়াসকলক দিলে। ৭ গেৰ্চোনৰ সন্তান

সকলক তেওঁলোকৰ কাৰ্যৰ প্ৰয়োজন অনুসাৰে দুখন গাড়ী আৰু চাৰিটা
ষাঁড়-গৰু দিলে। ৮ তেওঁ মৰাৰীৰ সন্তান সকলক চাৰিখন গাড়ী আৰু
আঠটা ষাঁড়-গৰু হাৰোণ পুৰোহিতৰ পুত্ৰ ঈথামৰৰ দায়িত্বত দিলে।
তেওঁলোকৰ কাৰ্যৰ প্ৰয়োজন অনুসাৰে মোচিয়ে এনে কৰিলে। ৯ কিন্তু
কহাতৰ সন্তান সকলক মোচিয়ে একোকে নিদিলে, কিয়নো পবিত্ৰ
স্থানৰ বস্তুবোৰৰ ভাৰ হে তেওঁলোকৰ ওপৰত আছিল আৰু তেওঁলোকৰ
প্ৰয়োজনীয়া বস্তুবোৰ তেওঁলোকে কান্ধতকৈ ভাৰ বব লগীয়া। ১০
মোচিয়ে যজ্ঞবেদী অভিষেক কৰা দিনা, অধ্যক্ষসকলে তাৰ প্ৰতিষ্ঠাৰ
অৰ্থে উপহাৰ আনিলে আৰু নিজ নিজ উপহাৰ যজ্ঞবেদীৰ আগত
উপস্থিত কৰিলে। ১১ তেতিয়া যিহোৱাই মোচিক কলে, “প্ৰতিজন
অধ্যক্ষই এদিন যজ্ঞবেদীৰ প্ৰতিষ্ঠাৰ অৰ্থে নিজ নিজ উপহাৰ আনিব
লাগিব।” ১২ তেতিয়া প্ৰথম দিনা যিহূদা ফৈদৰ অম্মীনাদবৰ পুত্ৰ
নহচোনে নিজৰ উপহাৰ আনিলে। ১৩ তেওঁৰ উপহাৰ পবিত্ৰ স্থানৰ
চেকল অনুসাৰে এশ ত্ৰিশ চেকল জোখৰ ৰূপৰ এখন থাল, আৰু
সত্তৰ চেকল জোখ ৰূপৰ এটা বাটি আছিল। এই দুটা পাত্ৰ ভক্ষ্য
নৈবেদ্যৰ অৰ্থে তেল মিহলোৱা মিহি আটাগুড়িৰে ভৰা আছিল। ১৪
তেওঁ ধূপেৰে পূৰ হোৱা দহ চেকল জোখ সোণৰ এটা পিয়লাও দান
কৰিছিল। ১৫ নহচোনে হোমৰ অৰ্থে এটা দমৰা ষাঁড়-গৰু, এটা মতা
মেৰ-ছাগ দিছিল। ১৬ তেওঁ পাপাৰ্থক বলিৰ কাৰণে এটা এবছৰীয়া
মতা ছাগলী পোৱালি দিছিল। ১৭ আৰু মঙ্গলাৰ্থক বলিৰ কাৰণে দুটা
ষাঁড়-গৰু, পাঁচটা মতা মেৰ-ছাগ, পাঁচটা মতা ছাগলী আৰু পাঁচোটা
এবছৰীয়া মতা মেৰ পোৱালি দিছিল। এয়ে অম্মীনাদবৰ পুত্ৰ নহচোনৰ
উপহাৰ। ১৮ দ্বিতীয় দিনা, ইচাখৰৰ অধ্যক্ষ চূৱাৰৰ পুত্ৰ নথনেলে
উপহাৰ আনিলে। ১৯ তেওঁ অনা উপহাৰ পবিত্ৰ স্থানৰ চেকল অনুসাৰে
এশ ত্ৰিশ চেকলজোখৰ ৰূপৰ এখন থাল, আৰু সত্তৰ চেকল জোখৰ
ৰূপৰ এটা বাটি আছিল। এই দুটা পাত্ৰ ভক্ষ্য নৈবেদ্যৰ অৰ্থে তেল
মিহলোৱা মিহি আটাগুড়িৰে ভৰা আছিল। ২০ তেওঁ ধূপেৰে পূৰ হৈ
থকা দহ চেকল জোখৰ সোণৰ এটা পিয়লাও দান কৰিছিল। ২১
নথনেলে হোমৰ অৰ্থে এটা দমৰা ষাঁড়-গৰু, এটা মতা মেৰ-ছাগ আৰু

এটা এবছৰীয়া মতা মেৰ পোৱালি আনিছিল। ২২ তেওঁ পাপাৰ্থক বলিৰ কাৰণে এটা মতা ছাগলী আনিছিল। ২৩ মঙ্গলাৰ্থক বলিৰ কাৰণে তেওঁ দুটা ষাঁড়-গৰু, পাঁচটা মতা মেৰ-ছাগ, পাঁচটা মতা ছাগলী আৰু পাঁচটা এবছৰীয়া মতা মেৰ পোৱালি আনিছিল। এয়ে আছিল চূৱাৰৰ পুত্ৰ নথনেলৰ উপহাৰ। ২৪ তৃতীয় দিনা, জবূলূনৰ সন্তান সকলৰ অধ্যক্ষ হেলোনৰ পুত্ৰ ইলীয়াবে উপহাৰ আনিলে। ২৫ তেওঁ উপহাৰ হিচাপে পবিত্ৰ স্থানৰ চেকল অনুসাৰে এশ ত্ৰিশ চেকল জোখ ৰূপৰ এখন থাল আৰু সত্তৰ চেকল জোখৰ ৰূপৰ এটা বাটি আনিলে। এই দুই পাত্ৰ ভক্ষ্য নৈবেদ্যৰ অৰ্থে তেল মিহলোৱা মিহি আটাগুড়িৰে ভৰা আছিল; ২৬ তেওঁ ধূপেৰে পূৰ হৈ থকা দহ চেকল জোখৰ সোণৰ এটা পিয়লাও আনিছিল। ২৭ তেওঁ হোমৰ অৰ্থে এটা দমৰা ষাঁড়-গৰু, এটা মতা মেৰ-ছাগ আৰু এটা এবছৰীয়া মতা মেৰ পোৱালি আনিছিল। ২৮ পাপাৰ্থক বলিৰ কাৰণে তেওঁ এটা মতা ছাগলী আনিছিল; ২৯ আৰু মঙ্গলাৰ্থক বলিৰ কাৰণে তেওঁ দুটা ষাঁড়-গৰু, পাঁচটা মতা মেৰ-ছাগ, পাঁচটা মতা ছাগলী আৰু পাঁচটা এবছৰীয়া মতা মেৰ পোৱালি আনিছিল। এয়ে আছিল হেলোনৰ পুত্ৰ ইলীয়াবৰ উপহাৰ। ৩০ চতুৰ্থ দিনা, ৰূবেণৰ সন্তান সকলৰ অধ্যক্ষ চদেয়ূৰৰ পুত্ৰ ইলীচূৰে উপহাৰ আনিলে। ৩১ তেওঁ উপহাৰ হিচাপে পবিত্ৰ স্থানৰ চেকল অনুসাৰে এশ ত্ৰিশ চেকল জোখৰ ৰূপৰ এখন থাল আৰু সত্তৰ চেকল জোখৰ ৰূপৰ এটা বাটি আনিছিল। এই দুটা পাত্ৰ ভক্ষ্য নৈবেদ্যৰ অৰ্থে তেল মিহলোৱা মিহি আটাগুড়িৰে ভৰা আছিল; ৩২ তেওঁ ধূপেৰে পূৰ হৈ থকা দহ চেকল জোখৰ সোণৰ এটা পিয়লাও আনিছিল। ৩৩ তেওঁ হোমৰ অৰ্থে এটা দমৰা ষাঁড়-গৰু, এটা মতা মেৰ-ছাগ আৰু এটা এবছৰীয়া মতা মেৰ পোৱালি আনিছিল; ৩৪ আৰু পাপাৰ্থক বলিৰ বাবে এটা মতা ছাগলী আনিছিল। ৩৫ ইলীচূৰে মঙ্গলাৰ্থক বলিৰ কাৰণে দুটা ষাঁড়-গৰু, পাঁচটা মতা মেৰ-ছাগ, পাঁচটা মতা ছাগলী আৰু পাঁচটা এবছৰীয়া মতা মেৰ পোৱালি আনিছিল। এয়ে আছিল চদেয়ূৰৰ পুত্ৰ ইলীচূৰৰ উপহাৰ। ৩৬ পঞ্চম দিনা চিমিয়োনৰ সন্তান সকলৰ অধ্যক্ষ চূৰীচদ্দয়ৰ পুত্ৰ চলমীয়েলে উপহাৰ আনিলে। ৩৭ তেওঁ উপহাৰ হিচাপে পবিত্ৰ স্থানৰ

চেকল অনুসাৰে এশ ত্ৰিশ চেকল জোখৰ ৰূপৰ এখন থাল, আৰু সত্তৰ চেকল জোখ ৰূপৰ এটা বাটি আনিছিল। এই দুটা পাত্ৰ ভক্ষ্য নৈবেদ্যৰ অৰ্থে তেল মিহলোৱা মিহি আটাগুড়িৰে ভৰা আছিল; ৩৮ আৰু ধূপেৰে পূৰ হৈ থকা দহ চেকল জোখৰ সোণৰ এটা পিয়লাও আনিছিল; ৩৯ তেওঁ হোম বলিৰ অৰ্থে এটা দমৰা ষাঁড়-গৰু, এটা মতা মেৰ-ছাগ আৰু এটা এবছৰীয়া মতা মেৰ পোৱালি আনিছিল; ৪০ আৰু পাপাৰ্থক বলিৰ বাবে এটা মতা ছাগলী। ৪১ তেওঁ মঙ্গলাৰ্থক বলিৰ কাৰণে দুটা ষাঁড়-গৰু, পাঁচটা মতা মেৰ-ছাগ, পাঁচটা মতা ছাগলী আৰু পাঁচটা এবছৰীয়া মতা মেৰ পোৱালি আনিছিল। এয়ে আছিল চূৰীচদ্দয়ৰ পুত্ৰ চলমীয়েলৰ উপহাৰ। ৪২ ষষ্ঠ দিনা, গাদৰ সন্তান সকলৰ অধ্যক্ষ দুৱেলৰ পুত্ৰ ইলিয়াচফে উপহাৰ আনিলে। ৪৩ তেওঁ উপহাৰ হিচাপে পবিত্ৰ স্থানৰ চেকল অনুসাৰে এশ ত্ৰিশ চেকল জোখৰ ৰূপৰ এখন থাল, আৰু সত্তৰ চেকল জোখৰ এটা বাটি আনিছিল। এই দুটা পাত্ৰ ভক্ষ্য নৈবেদ্যৰ অৰ্থে তেল মিহলোৱা মিহি আটাগুড়িৰে ভৰা আছিল; ৪৪ তেওঁ ধূপেৰে পূৰ হৈ থকা দহ চেকল জোখৰ এটা সোণৰ পিয়লাও আনিছিল। ৪৫ তেওঁ হোম বলিৰ অৰ্থে এটা দমৰা ষাঁড়-গৰু, এটা মতা মেৰ-ছাগ আৰু এটা এবছৰীয়া মতা মেৰ পোৱালি আনিছিল। ৪৬ আৰু পাপাৰ্থক বলিৰ কাৰণে এটা মতা ছাগলী; ৪৭ তেওঁ মঙ্গলাৰ্থক বলিৰ কাৰণে দুটা ষাঁড়-গৰু, পাঁচটা মতা মেৰ-ছাগ, পাঁচটা মতা ছাগলী আৰু পাঁচটা এবছৰীয়া মতা মেৰ পোৱালি আনিছিল। এয়ে আছিল দুৱেলৰ পুত্ৰ ইলিয়াচফৰ উপহাৰ। ৪৮ সপ্তম দিনা, ইফ্ৰয়িমৰ সন্তান সকলৰ অধ্যক্ষ অম্মীহূদৰ পুত্ৰ ইলীচামাই উপহাৰ আনিলে। ৪৯ তেওঁ উপহাৰ হিচাপে পবিত্ৰ স্থানৰ চেকল অনুসাৰে এশ ত্ৰিশ চেকল জোখ ৰূপৰ এখন থাল, আৰু সত্তৰ চেকল জোখ ৰূপৰ এটা বাটি আনিছিল। এই দুটা পাত্ৰ ভক্ষ্য নৈবেদ্যৰ অৰ্থে তেল মিহলোৱা মিহি আটাগুড়িৰে ভৰা আছিল; ৫০ তেওঁ ধূপেৰে পূৰ হৈ থকা দহ চেকল জোখৰ সোণৰ এটা পিয়লাও আনিছিল। ৫১ তেওঁ হোম বলিৰ অৰ্থে এটা দমৰা ষাঁড়-গৰু, এটা মতা মেৰ-ছাগ আৰু এটা এবছৰীয়া মতা মেৰ পোৱালি আনিছিল। ৫২ তেওঁ পাপাৰ্থক বলিৰ কাৰণে এটা মতা ছাগলী আনিছিল; ৫৩ আৰু

মঙ্গলাৰ্থক বলিৰ কাৰণে দুটা ষাঁড়-গৰু, পাঁচটা মতা মেৰ-ছাগ, পাঁচটা মতা ছাগলী আৰু পাঁচটা এবছৰীয়া মতা মেৰ পোৱালি আনিছিল। এয়ে আছিল অম্মীহূদৰ পুত্ৰ ইলীচামাৰ উপহাৰ। ৫৪ অষ্টম দিনা, মনচিৰ সন্তান সকলৰ অধ্যক্ষ পদাচূৰৰ পুত্ৰ গম্লীয়েলে উপহাৰ আনিলে। ৫৫ তেওঁ উপহাৰ হিচাপে পবিত্ৰ স্থানৰ চেকল অনুসাৰে এশ ত্ৰিশ চেকল জোখৰ ৰূপৰ এখন থাল, আৰু সত্তৰ চেকল জোখৰ ৰূপৰ এটা বাটি আনিছিল; এই দুটা পাত্ৰ ভক্ষ্য নৈবেদ্যৰ অৰ্থে তেল মিহলোৱা মিহি আটাগুড়িৰে ভৰা আছিল। ৫৬ তেওঁ ধূপেৰে পূৰ হৈ থকা দহ চেকল জোখৰ সোণৰ এটা পিয়লাও আনিছিল। ৫৭ তেওঁ হোম বলিৰ অৰ্থে এটা দমৰা ষাঁড়-গৰু, এটা মতা মেৰ-ছাগ আৰু এটা এবছৰীয়া মতা মেৰ পোৱালি আনিছিল; ৫৮ আৰু পাপাৰ্থক বলিৰ কাৰণে এটা মতা ছাগলী। ৫৯ তেওঁ মঙ্গলাৰ্থক বলিৰ কাৰণে দুটা ষাঁড়-গৰু, পাঁচটা মতা, পাঁচটা মতা ছাগলী আৰু পাঁচটা এবছৰীয়া মতা মেৰ পোৱালি আনিছিল। এয়ে আছিল পদাচূৰৰ পুত্ৰ গম্লীয়েলৰ উপহাৰ। ৬০ নৱম দিনা, বিন্যামীনৰ সন্তান সকলৰ অধ্যক্ষ গিদিয়োনীৰ পুত্ৰ অবীদানে উপহাৰ আনিলে। ৬১ তেওঁ উপহাৰ হিচাপে পবিত্ৰ স্থানৰ চেকল অনুসাৰে এশ ত্ৰিশ চেকল জোখৰ ৰূপৰ এখন থাল, আৰু সত্তৰ চোকল জোখৰ ৰূপৰ এটা বাটি আনিছিল। এই দুটা পাত্ৰ ভক্ষ্য নৈবেদ্যৰ অৰ্থে তেল মিহলোৱা মিহি আটাগুড়িৰে ভৰা আছিল; ৬২ তেওঁ ধূপেৰে পূৰ হৈ থকা দহ চোকল জোখৰ সোণৰ এটা পিয়লাও আনিছিল। ৬৩ হোম বলিৰ অৰ্থে তেওঁ এটা দমৰা ষাঁড়-গৰু, এটা মতা মেৰ-ছাগ ৬৪ আৰু এটা এবছৰীয়া মেৰ পোৱালি আনিছিল আৰু পাপাৰ্থক বলিৰ কাৰণে এটা মতা ছাগলী; ৬৫ তেওঁ মঙ্গলাৰ্থক বলিৰ কাৰণে দুটা ষাঁড়-গৰু, পাঁচটা মতা মেৰ-ছাগ, পাঁচটা মতা ছাগলী আৰু পাঁচটা এবছৰীয়া মতা মেৰ পোৱালি আনিছিল। এয়ে আছিল গিদিয়োনীয়া পুত্ৰ অবীদানৰ উপহাৰ। ৬৬ দশম দিনা, দানৰ সন্তান সকলৰ অধ্যক্ষ অম্মীচদ্দয়ৰ পুত্ৰ অহীয়েজৰে উপহাৰ আনিলে। ৬৭ তেওঁ উপহাৰ হিচাপে পবিত্ৰ স্থানৰ চেকল অনুসাৰে এশ ত্ৰিশ চেকল জোখ এখন ৰূপৰ থাল, আৰু সত্তৰ চেকল জোখৰ ৰূপৰ এটা বাটি আনিছিল; এই দুটা পাত্ৰ ভক্ষ্য

নৈবেদ্যৰ অৰ্থে তেল মিহলোৱা মিহি আটাগুড়িৰে ভৰা আছিল। ৬৮ তেওঁ ধূপেৰে পূৰ হোৱা দহ চোকল জোখৰ সোণৰ এটা পিয়লাও আনিছিল। ৬৯ তেওঁ হোম বলিৰ অৰ্থে এটা দমৰা ষাঁড়-গৰু, এটা মতা মেৰ-ছাগ আৰু এটা এবছৰীয়া মতা মেৰ পোৱালি আনিছিল; ৭০ আৰু পাপাৰ্থক বলিৰ কাৰণে এটা মতা ছাগলী; ৭১ তেওঁ মঙ্গলাৰ্থক বলিৰ কাৰণে দুটা ষাঁড়-গৰু, পাঁচটা মতা মেৰ-ছাগ, পাঁচটা মতা ছাগলী আৰু পাঁচটা এবছৰীয়া মতা মেৰ পোৱালি আনিছিল। এয়ে আছিল অম্মীচদ্দয়ৰ পুত্ৰ অহীয়েজৰৰ উপহাৰ। ৭২ একাদশ দিনা, আচেৰৰ সন্তান সকলৰ অধ্যক্ষ আক্ৰণৰ পুত্ৰ পগীয়েলে উপহাৰ আনিলে। ৭৩ তেওঁ উপহাৰ হিচাপে পবিত্ৰ স্থানৰ চেকল অনুসাৰে এশ ত্ৰিশ চেকল জোখ ৰূপৰ এখন থাল, আৰু সত্তৰ চেকল জোখৰ ৰূপৰ এটা বাটি আনিছিল; এই দুটা পাত্ৰ ভক্ষ্য নৈবেদ্যৰ অৰ্থে তেল মিহলোৱা মিহি আটাগুড়িৰে ভৰা আছিল। ৭৪ তেওঁ ধূপেৰে পূৰ হৈ থকা দহ চেকল জোখ সোণৰ এটা পিয়লাও আনিছিল। ৭৫ তেওঁ হোম অৰ্থে এটা দমৰা ষাঁড়-গৰু, এটা মতা মেৰ-ছাগ আৰু এটা এবছৰীয়া মতা মেৰ পোৱালি আনিছিল; ৭৬ আৰু পাপাৰ্থক বলিৰ কাৰণে এটা মতা ছাগলী। ৭৭ তেওঁ মঙ্গলাৰ্থক বলিৰ কাৰণে দুটা ষাঁড়-গৰু, পাঁচটা মতা মেৰ-ছাগ, পাঁচটা মতা ছাগলী আৰু পাঁচটা এবছৰীয়া মতা মেৰ পোৱালি আনিছিল। এয়ে আছিল আক্ৰণৰ পুত্ৰ পগীয়েলৰ উপহাৰ। ৭৮ দ্বাদশ দিনা, নপ্তালীৰ সন্তান সকলৰ অধ্যক্ষ ঐননৰ পুত্ৰ অহীৰাই উপহাৰ আনিলে। ৭৯ তেওঁ উপহাৰ হিচাপে পবিত্ৰ স্থানৰ চেকল অনুসাৰে এশ ত্ৰিশ চেকল জোখৰ ৰূপৰ এখন থাল, আৰু সত্তৰ চেকল জোখৰ ৰবপৰ এটা বাটি আনিছিল; এই দুটা পাত্ৰ ভৈক্ষ্য নৈবেদ্যৰ অৰ্থে তেল মিহলোৱা মিহি আটাগুড়িৰে ভৰা আছিল। ৮০ তেওঁ ধূপেৰে পূৰ হৈ থকা দহ চেকল জোখৰ সোণৰ এটা পিয়লাও আনিছিল। ৮১ তেওঁ হোম বলিৰ অৰ্থে এটা দমৰা ষাঁড়-গৰু, এটা মতা মেৰ-ছাগ আৰু এটা এবছৰীয়া মতা মেৰ পোৱালি আনিছিল; ৮২ আৰু পাপাৰ্থক বলিৰ কাৰণে এটা মতা ছাগলী। ৮৩ তেওঁ মঙ্গলাৰ্থক বলিৰ কাৰণে দুটা ষাঁড়-গৰু, পাঁচটা মতা মেৰ-ছাগ, পাঁচটা মতা ছাগলী আৰু পাঁচটা

এবছৰীয়া মতা মেৰ পোৱালি আনিছিল। এয়ে আছিল ঐননৰ পুত্ৰ
অহীৰাৰ উপহাৰ। ৮৪ মোচিয়ে যজ্ঞবেদী অভিষেক কৰা দিনা, তাৰ
প্ৰতিষ্ঠাৰ অৰ্থে, এই সকলোবোৰ উপহাৰ ইস্ৰায়েলৰ অধ্যক্ষসকলৰ
দ্বাৰাই দিয়া হ'ল; তেওঁলোকে ৰূপৰ বাৰখন থাল, ৰূপৰ বাৰটা বাটি
আৰু সোণৰ বাৰটা পিয়লা দান কৰিছিল। ৮৫ তাৰে প্ৰতিখন থাল এশ
ত্ৰিশ চেকল জোখৰ ৰূপৰ আৰু প্ৰত্যেক বাটি সত্তৰ চেকল জোখৰ ৰূপৰ
আছিল; সৰ্ব্বমুঠ এই সকলো পাত্ৰৰ ৰূপ পবিত্ৰ স্থানৰ চেকল অনুসাৰে
দুই হাজাৰ চাৰিশ চেকল আছিল; ৮৬ প্ৰত্যেকখন ধূপেৰে পূৰ হোৱা
সোণৰ বাৰটা পিয়লা পবিত্ৰ স্থানৰ চেকল অনুসাৰে দহ চেকল জোখৰ
সোণৰ আছিল; আটাই কেইটা পিয়লাৰ সোণ সৰ্ব্বমুঠ এশ বিশ চেকল
আছিল। ৮৭ তেওঁলোকে হোম বলিৰ অৰ্থে সৰ্ব্বমুঠ বাৰটা দমৰা ষাঁড়-
গৰু, বাৰটা মতা মেৰ-ছাগ, বাৰটা এবছৰীয়া মতা মেৰ পোৱালি, আৰু
এইবোৰৰ সৈতে ভক্ষ্য নৈবেদ্য আৰু পাপাৰ্থক বলিৰ কাৰণে বাৰটা
মতা ছাগলী দান কৰিছিল। ৮৮ তেওঁলোকৰ পোহনীয়া জন্তুৰ জাকৰ
পৰা তেওঁলোকে মঙ্গলাৰ্থক বলিৰ কাৰণে সৰ্ব্বমুঠ চব্বিশটা ষাঁড়-গৰু,
ষাঠিটা মতা মেৰ-ছাগ, ষাঠিটা মতা ছাগলী আৰু ষাঠিটা এবছৰীয়া
মতা মেৰ পোৱালি দান কৰিছিল। যজ্ঞবেদী অভিষেক কৰাৰ পাছত,
তাৰ প্ৰতিষ্ঠা কৰাৰ উপহাৰ এইবোৰ। ৮৯ পাছত যেতিয়া মোচিয়ে
যিহোৱাৰ সৈতে কথা-বতৰা কৰিবলৈ সাক্ষাৎ কৰা তম্বুৰ ভিতৰলৈ
সোমাল, তেতিয়া তেওঁ ঈশ্বৰৰ বাক্যৰ শব্দ সেই সাক্ষ্য-ফলিৰ চন্দুকৰ
ওপৰত থকা পাপাবৰণৰ পৰা, কৰূব দুটাৰ মাজৰ পৰা তেওঁক কোৱা
শুনিলে। এইদৰে তেওঁ মোচিক কথা ক'লে।

৮ যিহোৱাই মোচিক ক'লে, ২ "তুমি হাৰোণক কোৱা বোলে, 'যেতিয়া
তুমি প্ৰদীপবোৰ জ্বলাবা, তেতিয়া সেই সাতোটা প্ৰদীপ দীপাধাৰৰ
সন্মুখত পোহৰ কৰাকৈ ৰাখিবা'।" ৩ তেতিয়া হাৰোণে সেইদৰে
কৰিলে। মোচিক দিয়া যিহোৱাৰ আজ্ঞা অনুসাৰেই দীপাধাৰৰ সন্মুখত
পোহৰ কৰাকৈ তেওঁ প্ৰদীপবোৰ জ্বলালে। ৪ সেই দীপাধাৰ এইদৰে
সজা হৈছিল: দীপাধাৰটো তলৰ পৰা ওপৰলৈ সোণৰে পিটাই সজা
হৈছিল আৰু তাৰ ওপৰটো ফুলৰ আকৃতিত সজা হৈছিল; যিহোৱাই

মোচিক এইদৰেই দীপাধাৰটো সাজিবলৈ কৈছিল। ৫ যিহোৱাই
মোচিক পুনৰায় ক’লে, ৬ “তুমি ইস্রায়েলৰ সন্তান সকলৰ মাজৰ পৰা
লেবীয়াসকলক লৈ, তেওঁলোকক শুচি কৰা। ৭ তেওঁলোকক শুচি
কৰিবলৈ, তেওঁলোকলৈ এই কাম কৰা; তেওঁলোকৰ ওপৰত পাপ
নাশক জল ছটিওৱা, আৰু তেওঁলোকৰ প্রতিজনে নিজ গোটেই গাৰ
চুলি ক্ষুৰাই আৰু কাপোৰ ধুই নিজকে শুচি কৰক। ৮ তাৰ পাছত
তেওঁলোকে এটা দমৰা ষাঁড়-গৰু আৰু তেল মিহলোৱা মিহি আটাগুড়িৰে
যুগুত কৰক তাৰ ভক্ষ্য নৈবেদ্য আনক; আৰু পাপাৰ্থক বলিৰ কাৰণে
আৰু এটা দমৰা গৰু লওঁক। ৯ তুমি লেবীয়াসকলক সাক্ষাৎ কৰা
তম্বুৰ আগত উপস্থিত কৰাবা, আৰু ইস্রায়েলৰ সন্তান সকলৰ গোটেই
মণ্ডলীক একত্রিত কৰাবা। ১০ তাৰ পাছত লেবীয়াসকলক মোৰ
আগত উপস্থিত কৰাবা। ইস্রায়েলৰ সন্তান সকলে লেবীয়াসকলৰ গাত
হাত দিব লাগিব। ১১ ইস্রায়েলৰ সন্তান সকলৰ পক্ষে হাৰোণে মোৰ
আগত লেবীয়াসকলক উৎসৰ্গ কৰিব যাতে তেওঁলোক মোৰ সেৱাৰ
কাৰ্যত নিযুক্ত হ’ব। ১২ পাছত লেবীয়াসকলে সেই দুটা দমৰা ষাঁড়-
গৰুৰ মূৰত হাত দিব; আৰু তুমি লেবীয়াসকলক প্ৰায়শ্চিত্ত কৰিবৰ
কাৰণে, যিহোৱাৰ উদ্দেশ্যে এটা দমৰা ষাঁড়-গৰু পাপাৰ্থক বলিস্বৰূপে
আৰু আনটো হোম বলিস্বৰূপে উৎসৰ্গ কৰিবা। ১৩ এইদৰে তুমি
হাৰোণ আৰু তেওঁৰ পুত্ৰসকলৰ আগত লেবীয়াসকলক উপস্থিত কৰাবা
আৰু তেওঁলোকক মোৰ উদ্দেশ্যে উৎসৰ্গ কৰিবা। ১৪ এইদৰে তুমি
ইস্রায়েলৰ সন্তান সকলৰ মাজৰ পৰা লেবীয়াসকলক পৃথক কৰিবা;
আৰু লেবীয়াসকল মোৰেই হ’ব। ১৫ তাৰ পাছত লেবীয়াসকলে
সাক্ষাৎ কৰা তম্বুৰ কাৰ্য কৰিবলৈ সেই ঠাইত সোমাব। এইদৰে তুমি
তেওঁলোকক শুচি কৰিবা আৰু মোলৈ তেওঁলোকক উৎসৰ্গ কৰিবা।
১৬ তুমি ইয়াকে কৰিবা কিয়নো তেওঁলোকক সম্পূৰ্ণৰূপে ইস্রায়েলৰ
সন্তান সকলৰ মাজৰ পৰা মোক দিয়া হ’ল। তেওঁলোকে ইস্রায়েলৰ
সন্তান সকলৰ মাজৰ গৰ্ভ ভেদ কৰি সকলো প্ৰথমে জন্মাসকলৰ সলনি
তেওঁলোকক মোৰ কাৰণে গ্ৰহণ কৰিলোঁ। ১৭ কাৰণ মানুহেই হওঁক
বা পশুৱেই হওঁক, ইস্রায়েলৰ মাজত প্ৰথমে জন্মা সকলো মোৰেই;

যিদিনা মই মিচৰ দেশৰ পৰা প্ৰথমে জন্মা সকলোকে মাৰিলোঁ, সেই দিনা মোৰ কাৰণে তেওঁলোকক পবিত্ৰ কৰিছিলোঁ।। ১৮ এই কাৰণে ইস্ৰায়েলৰ সন্তান সকলৰ প্ৰথমে জন্মা সকলো সন্তান সকলৰ সলনি মই লেবীয়াসকলক গ্ৰহণ কৰিলোঁ। ১৯ আৰু সাক্ষাৎ কৰা তম্বুত ইস্ৰায়েলৰ সন্তান সকলে কৰিবলগীয়া কাৰ্য কৰিবলৈ আৰু ইস্ৰায়েলৰ সন্তান সকলক প্ৰায়শ্চিত্ত কৰিবলৈ, ইস্ৰায়েলৰ সন্তান সকলৰ মাজৰ পৰা লেবীয়াসকলক, হাৰোণ আৰু তেওঁৰ পুত্ৰসকলক দানস্বৰূপে দিলোঁ; যাতে ইস্ৰায়েলৰ সন্তান সকলে পবিত্ৰ স্থানৰ ওচৰ চাপিলে ইস্ৰায়েলৰ সন্তান সকলৰ মাজত কোনো আপদ নঘটিব।" ২০ মোচি, হাৰোণ আৰু ইস্ৰায়েলৰ সন্তান সকলৰ গোটেই মণ্ডলীয়ে লেবীয়াসকললৈ এই দৰে কৰিলে। যিহোৱাই লেবীয়াসকলৰ বিষয়ে মোচিক দিয়া সকলো আদেশ অনুসাৰেই, ইস্ৰায়েলৰ সন্তান সকলে তেওঁলোকলৈ এই কাৰ্য কৰিলে। ২১ লেবীয়াসকলে নিজ নিজ কাপোৰ ধুই নিজকে পাপৰ পৰা মুক্ত কৰিলে; আৰু হাৰোণে তেওঁলোকক যিহোৱাৰ উৎসৰ্গ কৰিলে, আৰু তেওঁলোকক শুচি কৰিবৰ অৰ্থে তেওঁলোকক প্ৰায়শ্চিত্ত কৰিলে। ২২ তেতিয়াৰে পৰা লেবীয়াসকলে হাৰোণৰ আগত আৰু তেওঁৰ পুত্ৰসকলৰ আগত সাক্ষাৎ কৰা তম্বুত নিজ নিজ কাৰ্য কৰিবলৈ সোমাল। লেবীয়াসকলৰ বিষয়ে যিহোৱাই মোচিক দিয়া আজ্ঞা অনুসাৰেই তেওঁলোকে সেইদৰেই তেওঁলোকলৈ কাৰ্য কৰিলে। ২৩ পাছত যিহোৱাই পুনৰায় মোচিক কলে, ২৪ "লেবীয়াসকলৰ বিষয়ে এই নিয়ম - পঁচিশ বছৰ বয়সৰে পৰা লেবীয়াসকলে সাক্ষাৎ কৰা তম্বুত কাম কৰিবলৈ কৰ্মকাৰীসকলৰ শ্ৰেণীত সোমাব। ২৫ আৰু পঞ্চাশ বছৰ বয়স হ'লে, সেই কৰ্মকাৰীসকলৰ শ্ৰেণীৰ পৰা ওলাব আৰু সেই কাম বন্ধ কৰিব। ২৬ তেওঁলোকে সাক্ষাৎ কৰা তম্বুত বস্তুৰ বুজ-বিচাৰ লৈ নিজৰ ভাইসকলৰ সহায় কৰোঁতা হ'ব কিন্তু সেৱাকৰ্ম আৰু নকৰিব। লেবীয়াসকলে কৰিবলগীয়া কাৰ্যৰ বিষয়ে তুমি তেওঁলোকলৈ এইদৰে কৰিবা।"

**৯** ইস্ৰায়েল লোক মিচৰ দেশৰ পৰা ওলাই অহাৰ পাছত, দ্বিতীয় বছৰৰ প্ৰথম মাহত, চীনয় মৰুভূমিত যিহোৱাই মোচিক ক'লে, তেওঁ

ক’লে, ২ “ইস্ৰায়েলৰ সন্তান সকলে নিৰূপিত সময়ত নিস্তাৰ-পৰ্ব্ব
পালন কৰিব লাগে। ৩ এই মাহৰ চতুৰ্দ্দশ দিনা সন্ধ্যাপৰত নিৰূপিত
সময়ত তোমালোকে তাক বছৰি পালন কৰিবা। আৰু এই সমন্ধে
ইয়াৰ নিয়ম-নীতি অনুসৰণ কৰা আৰু সকলো আজ্ঞাবোৰ পালন কৰি
ইয়াক তোমালোকে ধৰি ৰাখিবা।” ৪ তেতিয়া মোচিয়ে ইস্ৰায়েলৰ
সন্তান সকলক নিস্তাৰ-পৰ্ব্ব পালন কৰিবলৈ আজ্ঞা দিলে। ৫ তেতিয়া
তেওঁলোকে প্ৰথম মাহৰ চতুৰ্দ্দশ দিনা সন্ধ্যাপৰত চীনয় মৰুভূমিত
নিস্তাৰ-পৰ্ব্ব পালন কৰিলে। যিহোৱাই মোচিক দিয়া আজ্ঞাৰ দৰেই,
ইস্ৰায়েলৰ সন্তান সকলে সেই সকলোকে কৰিলে। ৬ কিন্তু কিছুমান
লোকে মানুহৰ শৱ চুই অশুচি হোৱা হেতুকে সেই দিনা নিস্তাৰ-পৰ্ব্ব
পালন কৰিব নোৱাৰিলে। সেইবাবে তেওঁলোকে সেই দিনা মোচি
আৰু হাৰোণৰ গুৰিলৈ গ’ল। ৭ সেই লোকসকলে তেওঁক ক’লে,
“আমি মানুহৰ শৱ চুই অশুচি হলোঁ; ইস্ৰায়েলৰ সন্তান সকলৰ মাজত
নিৰূপিত সময়ত যিহোৱাৰ উদ্দেশ্যে উপহাৰ উৎসৰ্গ কৰিবলৈ আমি
কিয় বঞ্চিত হ’ম?” ৮ তাতে মোচিয়ে তেওঁলোকক ক’লে, “তোমালোক
অলপ ৰ’বা; তোমালোকৰ বিষয়ে যিহোৱাই কি আজ্ঞা দিয়ে, তাক
শুনো।” ৯ পাছত যিহোৱাই মোচিক ক’লে, তেওঁ ক’লে ১০ “তুমি
ইস্ৰায়েলৰ সন্তান সকলক কোৱা, ক’বা, ‘তোমালোকৰ মাজত নাইবা
তোমালোকৰ ভাবি-বংশৰ মাজত যদি কোনোৱে শৱ চুই অশুচি হয়,
বা দূৰ বাটত পথিক হৈ থাকে, তথাপিও তেওঁ যিহোৱাৰ নিস্তাৰ-পৰ্ব্ব
পালন কৰিব লাগিব’। ১১ দ্বিতীয় মাহৰ চতুৰ্দ্দশ দিনা সন্ধ্যাপৰত
তেওঁলোকে তাক পালন কৰিব। তেওঁলোকে খমীৰ নিদিয়া পিঠা আৰু
তিতা শাকেৰে নিস্তাৰ-পৰ্বৰ বলি খাব। ১২ ৰাতিপুৱালৈ তাৰ একোকে
অৱশিষ্ট নাৰাখিব আৰু কোনো হাড় নাভাঙিব; তেওঁলোকে নিস্তাৰ-
পৰ্ব্বৰ সকলো বিধি অনুসাৰে তাক পালন কৰিব। ১৩ কিন্তু যিকোনোৱে
শুচি হৈ থাকে আৰু পথিকো নহয়, কিন্তু তেওঁ যদি নিস্তাৰ-পৰ্ব্ব পালন
কৰিবলৈ হেলা কৰে, তেন্তে সেই মানুহ নিজ লোকসকলৰ মাজত
পৰা উচ্ছন্ন কৰা হ’ব। কাৰণ, নিৰূপিত সময়ত যিহোৱাৰ উদ্দেশ্যে
উপহাৰ নিদিয়াত, তেওঁ নিজৰ পাপৰ ফল ভোগ কৰিব লাগিব। ১৪

আৰু কোনো বিদেশী লোকে তোমালোকৰ মাজত প্ৰবাসী হৈ থাকি
যিহোৱাৰ উদ্দেশ্যে যদি নিস্তাৰ-পৰ্ব্ব পালন কৰিব খোজে, তেন্তে তেওঁ
নিস্তাৰ-পৰ্ব্বৰ বিধিমতে আৰু তাৰ শাসন-প্ৰণালী অনুসাৰে তাক পালন
কৰিব; স্বদেশত জন্মা, দুয়োৰো বাবে তোমালোকৰ একেটাই বিধি
হ'ব।" ১৫ আৰু যিদিনা আবাস স্থাপন কৰা হ'ল, সেই দিনা মেঘে সেই
আবাস, সেই সাক্ষ্য-ফলি থকা তম্বু ঢাকি ধৰিলে, আৰু সন্ধ্যাবেলাৰ পৰা
ৰাতিপুৱালৈকে সেই আবাসৰ ওপৰত তাক জুই যেন দেখা গৈছিল। ১৬
এইদৰে সদায় আছিল। মেঘে তাক ঢাকিছিল আৰু ৰাতি জুইৰ নিচিনা
দেখা গৈছিল। ১৭ পাছে তম্বুৰ ওপৰৰ পৰা সেই মেঘ ওপৰলৈ নিয়া
হ'লে, ইস্ৰায়েলৰ সন্তান সকলে যাত্ৰা কৰে। আৰু সেই মেঘ যি ঠাইত
ৰখে, ইস্ৰায়েলৰ সন্তান সকলেও সেই ঠাইতে ছাউনি পাতি থাকে। ১৮
যিহোৱা আজ্ঞা অনুসাৰেই ইস্ৰায়েলৰ সন্তান সকলে যাত্ৰা কৰে আৰু
তেওঁৰ আজ্ঞাৰ দৰেই ছাউনি পাতি থাকে; সেই মেঘ যেতিয়ালৈকে
আবাসৰ ওপৰত থাকে, তেতিয়ালৈকে তেওঁলোক ছাউনিত থাকে।
১৯ আৰু সেই মেঘে যেতিয়া আবাসৰ ওপৰত বহুদিন ধৰি থাকে,
তেতিয়া ইস্ৰায়েলৰ সন্তান সকলেও যাত্ৰা নকৰি, যিহোৱাৰ উদ্দেশ্যে যি
কৰিব লগীয়া, তাকে কৰে। ২০ আৰু সেই মেঘ কোনো কোনো সময়ত
আবাসৰ ওপৰত অলপ দিন থাকে। তেনে স্থলত যিহোৱাৰ আজ্ঞা মতে
তেওঁলোকে ছাউনিত থাকে আৰু যিহোৱাৰ আজ্ঞামতে যাত্ৰাও কৰে।
২১ আৰু কোনো কোনো সময়ত মেঘ সন্ধ্যাপৰৰ পৰা ৰাতিপুৱালৈকে
থাকে। আৰু ৰাতিপুৱা ওপৰলৈ নিয়া হ'লে, তেওঁলোকে যাত্ৰা কৰে।
দিনত কি ৰাতিয়েই হওক, মেঘ ওপৰলৈ নিয়া হ'লেই তেওঁলোকে যাত্ৰা
কৰে। ২২ দুদিন বা এমাহ, নাইবা এবছৰ হওক, যিমান দিন আবাসৰ
ওপৰত মেঘে ৰখি থাকে ইস্ৰায়েলৰ সন্তান সকলেও সিমান দিন যাত্ৰা
নকৰি ছাউনিত থাকে। কিন্তু তাক ওপৰলৈ নিয়া হ'লেই, তেওঁলোকে
যাত্ৰা কৰে। ২৩ যিহোৱাৰ আজ্ঞামতেই তেওঁলোকে ছাউনিত থাকে
আৰু যিহোৱাৰ আজ্ঞা মতেই যাত্ৰাও কৰে; এইদৰে, মোচিৰ যোগেদি
দিয়া যিহোৱাৰ আজ্ঞা অনুসাৰে তেওঁলোকে যিহোৱাৰ উদ্দেশ্যে কৰিব
লগীয়া কাৰ্য কৰে।

১০ পাছত যিহোৱাই মোচিক ক'লে। তেওঁ ক'লে, ২ "তুমি ৰূপৰ দুটা
তূৰী সাজা। সেই ৰূপক পিতাই গঢ়াবা। লোকসকলক মাতিবলৈ আৰু
ছাউনিবোৰ উঠি যাবৰ বাবে তুমি তাক ব্যৱহাৰ কৰিবা। ৩ সেই দুটা
তূৰী বজালে, গোটেই লোকসকলে সাক্ষাৎ কৰা তম্বুৰ দুৱাৰ মুখত
তোমাৰ গুৰিত গোট খাব। ৪ কিন্তু এটা তূৰী বজালে, অধ্যক্ষসকল
ইস্ৰায়েলৰ সন্তান সকলৰ গোষ্ঠীসকলৰ মূল মানুহ তোমাৰ গুৰিত গোট
খাব। ৫ আৰু তোমালোকে ৰণত বজোৱাৰ দৰে তূৰী বজালে, পূৱফালে
থকা ছাউনিবোৰ উঠি যাব। ৬ আৰু দ্বিতীয়বাৰ ৰণত বজোৱাৰ দৰে
তূৰী বজালে, দক্ষিণফালে থকা ছাউনিবোৰ উঠি যাব। এইক্রমে
তেওঁবিলাকে উঠি যাবলৈ ৰণৰ দৰে তূৰী বজাব লাগিব। ৭ লোকসকল
গোট খাবৰ হলেও, তোমালোকে তূৰী বজাবা, কিন্তু ৰণত বজোৱাৰ
দৰে নবজাবা। ৮ হাৰোণৰ পুত্ৰ পুৰোহিত সকলে সেই দুটা তূৰী বজাব।
তোমালোকৰ পুৰুষানুক্ৰমে চিৰস্থায়ী বিধিৰ কাৰণে তোমালোকে তাক
ৰাখিবা। ৯ আৰু যি সময়ত তোমালোকে তোমালোকৰ দেশত উপদ্ৰৱ
কৰোঁতা শত্ৰুবোৰৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ ওলাবা, সেই সময়ত সেই
দুটা তূৰী ৰণত বজোৱাৰ দৰে বজাবা। তেতিয়া মই, তোমালোকৰ
ঈশ্বৰ যিহোৱাই তোমালোকক সোঁৱৰণ কৰিব আৰু তোমালোকক
তোমালোকৰ শত্ৰুবোৰৰ পৰা নিস্তাৰ পাবা। ১০ আৰু আমোদৰ
দিনতো, পৰ্ব্বৰ দিনত আৰু মাহৰ আৰম্ভণত, তোমালোকৰ হোম-
বলিৰ আৰু মঙ্গলাৰ্থক বলিৰ কাষত তোমালোকে সেই তূৰী বজাবা;
তাতে সেয়ে তোমালোকৰ ঈশ্বৰৰ সাক্ষাতে তোমালোকৰ সোঁৱৰণৰ
উপায় হ'ব। মই তোমালোকৰ ঈশ্বৰ যিহোৱা।" ১১ পাছত দ্বিতীয়
বছৰৰ দ্বিতীয় মাহৰ বিশ দিনৰ দিনা সেই মেঘ সাক্ষ্য-ফলি থকা
আবাসৰ ওপৰৰ পৰা নিয়া হ'ল। ১২ তাতে, ইস্ৰায়েলৰ সন্তান সকলে
যাত্ৰা কৰাৰ নিয়ম অনুসাৰে চীনয় অৰণ্যৰ পৰা প্ৰস্থান কৰিলে; পাছত
সেই মেঘ পাৰণ মৰুভূমিত ৰ'ল। ১৩ মোচিৰ যোগেদি যিহোৱাই আজ্ঞা
দিয়াৰ দৰে, তেওঁলোকে এই প্ৰথম বাৰ যাত্ৰা কৰিলে। ১৪ প্ৰথমে
যিহূদাৰ সন্তান সকলৰ ছাউনিৰ পতাকাৰ অধীনে থকা লোকসকলে
নিজ নিজ সৈন্য দল অনুসাৰে প্ৰস্থান কৰিলে। আৰু অম্মীনাদবৰ

পুত্ৰ নহচোন তেওঁলোকৰ সেনাপতি আছিল। ১৫ আৰু চূৱাৰৰ পুত্ৰ
নথনেলে ইচাখৰ ফৈদৰ সেনাপতি আছিল। ১৬ আৰু হেলোনৰ পুত্ৰ
ইলীয়াব জবূলূন ফৈদৰ সেনাপতি আছিল। ১৭ পাছে আবাস ভঙা
হ'ল, আৰু গেৰ্চোনৰ সন্তান সকলে আৰু মৰাৰীৰ সন্তান সকলে সেই
আবাস ভাৰ বৈ প্ৰস্থান কৰিলে। ১৮ তাৰ পাছত ৰূবেণৰ ছাউনিৰ
পতাকাৰ অধীনে থকা লোকসকলে নিজ নিজ সৈন্যদল অনুসাৰে
প্ৰস্থান কৰিলে। আৰু চদেয়ূৰৰ পুত্ৰ ইলীচূৰ তেওঁলোকৰ সেনাপতি
আছিল। ১৯ আৰু চূৰীচদ্দয়ৰ পুত্ৰ চলমীয়েল চিমিয়োন ফৈদৰ সেনাপতি
আছিল। ২০ আৰু দুৱেলৰ পুত্ৰ ইলিয়াচফ গাদ ফৈদৰ সেনাপতি
আছিল। ২১ পাছে পবিত্ৰ স্থানৰ বস্তু ভাৰ বওঁতা কহাতীয়া লোকসকলে
প্ৰস্থান কৰিলে। আৰু তেওঁলোকে গৈ নৌ পাওঁতেই, আন লোকসকলে
আবাস স্থাপন কৰিলে। ২২ পাছে ইফ্ৰয়িমৰ ছাউনিৰ পতাকাৰ অধীনে
থকা লোকসকলে নিজ নিজ সৈন্যদল অনুসাৰে প্ৰস্থান কৰিলে; আৰু
অম্মীহূদৰ পুত্ৰ ইলীচামা তেওঁলোকৰ সেনাপতি আছিল। ২৩ আৰু
পদাচূৰৰ পুত্ৰ গম্লীয়েল মনচি ফৈদৰ সেনাপতি আছিল। ২৪ আৰু
গিদিয়োনীৰ পুত্ৰ অবীদান বিন্যামীন ফৈদৰ সেনাপতি আছিল। ২৫
পাছে সকলো ছাউনিৰ পাছত, নিজ নিজ সৈন্যদল অনুসাৰে দানৰ
সন্তান সকলৰ ছাউনিৰ পতাকাৰ অধীনে থকা লোকসকলে প্ৰস্থান
কৰিলে; আৰু অম্মীচদ্দয়ৰ পুত্ৰ অহীয়েজৰ তেওঁলোকৰ সেনাপতি
আছিল। ২৬ আৰু আক্ৰণৰ পুত্ৰ পগীয়েল আচেৰ ফৈদৰ সেনাপতি
আছিল। ২৭ আৰু ঐননৰ পুত্ৰ অহীৰা নপ্তালী ফৈদৰ সেনাপতি আছিল।
২৮ প্ৰস্থান কৰা সময়ত ইস্ৰায়েলৰ সন্তান সকলে নিজ নিজ সৈন্যদল
অনুসাৰে এইদৰে প্ৰস্থান কৰিলে। ২৯ পাছে মোচিয়ে তেওঁৰ শহুৰেক
মিদিয়ন দেশৰ ৰূৱেলৰ পুত্ৰ হোববক ক'লে, "যিহোৱাই আমাক যি
দেশ দিম বুলি কৈছে, আমি সেই দেশলৈ যাত্ৰা কৰিছোঁ। যিহোৱাই
ক'লে, 'এই দেশ মই তোমাক দিম'। তুমিও আমাৰ লগত ব'লা,
তাতে আমি তোমাৰ মঙ্গল কৰিম; কিয়নো যিহোৱাই ইস্ৰায়েলৰ মঙ্গল
কৰিবলৈ প্ৰতিজ্ঞা কৰিছে।" ৩০ কিন্তু হোবাবে মোচিক ক'লে, "মই
তোমাৰ লগত নাযাওঁ। মই নিজ দেশৰ জ্ঞাতিসকলৰ ওচৰলৈ যাম।"

৩১ মোচিয়ে আকৌ ক'লে, "মিনতি কৰিছোঁ, তুমি আমাক নেৰিবা;
কিয়নো মৰুভুমিত মাজত কোন ঠাইত আমাৰ ছাউনি স্থাপন কৰিব
লগা হ'ব, তাক তুমি জানা। এই কাৰণে তুমি আমাৰ চকুস্বৰূপ হ'বা।
৩২ আৰু যদি তুমি আমাৰ লগত যোৱা, তেনেহলে, যিহোৱাই আমাৰ
যি মঙ্গল কৰিব, আমি তোমাকো সেই মঙ্গল ভোগ কৰাম।" ৩৩ পাছত
তেওঁলোকে যিহোৱাৰ পৰ্ব্বতৰ পৰা তিনদিনৰ বাট প্ৰস্থান কৰিলে;
আৰু যিহোৱাৰ নিয়ম চন্দুক তেওঁলোকৰ কাৰণে বিশ্ৰামৰ ঠাই বিচাৰি
বিচাৰি তিন দিনৰ বাট তেওঁলোকৰ আগে আগে গ'ল। ৩৪ আৰু
ছাউনি ভাঙি প্ৰস্থান কৰা সময়ত যিহোৱাৰ মেঘ দিনত তেওঁলোকৰ
ওপৰত থাকিছিল। ৩৫ আৰু চন্দুক যোৱা সময়ত মোচিয়ে কয়, "হে
যিহোৱা উঠা, তোমাৰ শত্ৰুবোৰ ছিন্ন ভিন্ন হওঁক আৰু তোমাক ঘিণ
কৰোঁতাসকল তোমাৰ আগৰ পৰা পলাই যাওঁক।" ৩৬ আৰু যেতিয়াই
নিযম-পুস্তকটি ৰৈ যায়, তেতিয়া মোচিয়ে কয়, "হে যিহোৱা তুমি
ইস্ৰায়েলৰ হাজাৰ হাজাৰ গোষ্ঠীৰ ওচৰলৈ উলটি আহা।"

**১১** পাছত লোকসকলে, যিহোৱাৰ কাণত পৰাকৈ বাটৰ দুখৰ কাৰণে
বকা লোকৰ নিচিনাকৈ আচৰণ কৰিলে, তাকে শুনি যিহোৱাৰ ক্ৰোধ
জ্বলি উঠিল; তাতে তেওঁলোকৰ বিৰুদ্ধে যিহোৱাৰ ক্ৰোধাগ্নি জ্বলি
উঠি, ছাউনিৰ শেষ ভাগত লোকসকলক গ্ৰাস কৰিবলৈ ধৰিলে। ২
এই কাৰণে লোকসকলে মোচিৰ গুৰিত কাতৰোক্তি কৰিলে; তাতে
মোচিয়ে যিহোৱাৰ আগত প্ৰাৰ্থনা কৰাত সেই অগ্নি নুমাল। ৩ তেতিয়া
সেই ঠাইৰ নাম তবিয়েৰা [দাহ] ৰখা হ'ল; কিয়নো যিহোৱাৰ অগ্নিয়ে
তেওঁলোকৰ বিৰুদ্ধে দাহ কৰিছিল। ৪ তাৰ পাছত, তেওঁলোকৰ
মাজত থকা মিশ্ৰিত লোকসকলে খঁকুৱা স্বভাৱ কৰিবলৈ ধৰিলে আৰু
ইস্ৰায়েলৰ সন্তান সকলে পুনৰায় কান্দি কান্দি ক'লে, "আমাক মঙহ
খাবলৈ কোনে দিব? ৫ আমি মিচৰ দেশত বিনামূল্যে যি যি মাছ
খাইছিলোঁ আৰু তিয়হ, খৰমূজা; পৰু, পিঁয়াজ আৰু নহৰুলৈ মনত পৰে।
৬ আৰু এতিয়া আমাৰ প্ৰাণ শুকাল; আমাৰ আগত এই মান্নাৰ বাহিৰে
আৰু একোৰেই নাই।" ৭ সেই মান্না ধনীয়া গুটিৰ নিচিনা আৰু তাৰ
বৰণ গুগগুলুৰ বৰণৰ নিচিনা আছিল। ৮ লোকসকলে ইফালে সিফালে

ফুৰি তাক চপায় আৰু জাঁতত পিহি বা খপবলি খুন্দি গুড়ি কৰি টৌত
সিজায় আৰু তাৰ দ্বাৰাই পিঠা বনায়; তাৰ আস্বাদ তেলেৰে যুগুত কৰা
সুস্বাদু আহাৰৰ আস্বাদৰ নিচিনা আছিল। ৯ ৰাতি ছাউনিৰ ওপৰত
নিয়ৰ পৰা সময়ত, নিয়ৰৰ লগত সেই মান্না পৰি থাকে। ১০ পাছে
মোচিয়ে লোকসকলৰ গোষ্ঠী অনুসাৰে নিজ নিজ তম্বুৰ দুৱাৰৰ ওচৰত
প্ৰতিজনে কান্দি থকা শুনিলে। তেতিয়া যিহোৱাৰ ক্ৰোধ অতিশয়ৰূপে
জ্বলি উঠিল, আৰু মোচিয়েও অসন্তোষ পালে। ১১ পাছে মোচিয়ে
যিহোৱাক জনালে, “তুমি কি কাৰণে তোমাৰ দাসক ইমান ক্লেশ
দিছা? কি কাৰণে বা মই তোমাৰ দৃষ্টিত অনুগ্ৰহ পোৱা নাই? তুমি
এই সকলো লোকৰ ভাৰ মোৰ ওপৰত দিছা? ১২ মই জানো এই
সকলো লোকক গৰ্ভধাৰণ কৰিলোঁ, বা এই সকলো লোকক প্ৰসৱ
কৰিলোঁ, যে তুমি এওঁলোকৰ পূৰ্বপুৰুষসকলৰ আগত যি দেশ দিবলৈ
প্ৰতিজ্ঞা কৰিছিলা, সেই দেশলৈ গাখীৰ খোৱা কেঁচুৱাক পালন কৰোঁতা
বাপেকৰ দৰে তেওঁলোকক বুকুত বান্ধি নিবলৈ মোক আজ্ঞা দিছা?
১৩ এই সকলো লোকক দিবৰ বাবে মই ক’ত মাংস পাম? কিয়নো
এওঁলোক সকলোৱে মোৰ গুৰিত কান্দি কৈছে, ‘আমাক মাংস দিয়া
আমি খাওঁ।’ ১৪ এই আটাই লোকৰ ভাৰ মই অকলেই বব নোৱাৰোঁ;
কিয়নো সেয়ে মোৰ শক্তিতকৈয়ো গধুৰ। ১৫ তুমি যদি মোলৈ এনে
ব্যৱহাৰ কৰা, তেন্তে মই বিনয় কৰিছোঁ, মই যদি তোমাৰ দৃষ্টিত
অনুগ্ৰহপ্ৰাপ্ত হৈছোঁ, তেন্তে এতিয়া মোক একেবাৰে মাৰা আৰু মোৰ
দুৰ্গতি মোক দেখিবলৈ নিদিবা।” ১৬ তেতিয়া যিহোৱাই মোচিক ক’লে,
“তুমি লোকসকলৰ মাজত যিসকলক বৃদ্ধ আৰু লোকসকলৰ অধ্যক্ষ
বুলি জানা, ইস্ৰায়েলৰ এনে সত্তৰ জন বৃদ্ধ লোকক চপাই সাক্ষাৎ কৰা
তম্বুৰ দুৱাৰলৈ লৈ আহা; তেওঁলোকে তোমাৰ লগত সেই ঠাইত থিয়
হওঁক। ১৭ পাছত মই সেই ঠাইলৈ নামি আহি তোমাৰে সৈতে কথা
হ’ম আৰু তোমাত যি আত্মা আছে, তাৰ কিছু লৈ তেওঁলোকত ৰাখিম;
তাতে, তুমি যেন অকলেই লোকসকলৰ ভাৰ নোবোৱা, এইবাবে
তেওঁলোকে তোমাৰ লগত লোকসকলৰ ভাৰ ব’ব। ১৮ আৰু তুমি
লোকসকলক কোৱা, ‘তোমালোকে কালিৰ বাবে নিজক পবিত্ৰ কৰা;

যিহোৱা যে আহিব নিজকে যুগুত কৰা। তেতিয়া তোমালোকে মাংস খাবলৈ পাবা; কিয়নো তোমালোকে কান্দি কান্দি কৈছিলা, ‘আমাক মাংস খাবলৈ কোনে দিব? কিয়নো মিচৰ দেশত আমাৰ ভাল আছিল।’ এই হেতুকে যিহোৱাই তোমালোকক মাংস দিব; আৰু তোমালোকে খাবলৈ পাবা। ১৯ তোমালোকে এদিন বা দুদিন, বা পাঁচ দিন, বা দহ দিন, বা বিশ দিন যে তাক খাবা এনে নহয়; ২০ সম্পূৰ্ণ এমাহলৈকে খাবা, যেতিয়ালৈকে সেয়ে তোমালোকৰ নাকেদি নোলায় আৰু ঘিণ লগা নহয়, তেতিয়ালৈকে তাক খাবা, কিয়নো তোমালোকে তোমালোকৰ মাজত থকা যিহোৱাক অগ্ৰাহ্য কৰি তেওঁৰ আগত কান্দি কান্দি এই কথা কৈছিলা যে, ‘আমি কিয় মিচৰ দেশৰ পৰা বাহিৰ হৈ আহিলোঁ’?” ২১ তেতিয়া মোচিয়ে ক’লে, “যি লোকসকলৰ মাজত আছোঁ, তেওঁলোক ছয় লাখ পদাতিক; তথাপি তুমি কৈছা, ‘সম্পূৰ্ণ এমাহ খাবৰ বাবেই মই তেওঁলোকক মঙহ দিম।’ ২২ তেওঁলোকক আটাই মেৰ, ছাগলী আৰু গৰুৰ জাক মাৰিব লাগে নে? নাইবা তেওঁলোকক প্ৰয়োজন হোৱাকৈ সাগৰৰ আটাই মাছ গোটাব লাগে নে?” ২৩ তেতিয়া যিহোৱাই মোচিক ক’লে, “যিহোৱাৰ হাত জানো চুটি হ’ল? তোমাৰ আগত মোৰ বাক্য সিদ্ধ হ’ব নে নহ’ব, তাক তুমি এতিয়া দেখিবলৈ পাবা।” ২৪ তেতিয়া মোচিয়ে বাহিৰলৈ গৈ, যিহোৱাৰ বাক্য লোকসকলক ক’লে, আৰু তেওঁলোকৰ বৃদ্ধ লোকৰ মাজৰ সত্তৰ জনক গোটাই তম্বুৰ চাৰিওফালে থিয় কৰিলে। ২৫ তাতে যিহোৱাই মেঘত নামি তেওঁক কথা ক’লে আৰু যি আত্মা মোচিত আছিল, তাৰ কিছু লৈ, সেই সত্তৰজন বৃদ্ধ লোকত ৰাখিলে। তাতে সেই আত্মা তেওঁলোকত থকাত, তেওঁলোকে ভাববাণী প্ৰচাৰ কৰিলে; কিন্তু তাৰ পাছত আৰু নকৰিলে। ২৬ কিন্তু দুজন মানুহ ছাউনিত থাকিল, এজনৰ নাম ইল্দদ, আন জনৰ নাম মেদদ। এই দুজনতো আত্মা থাকিল। তেওঁলোকৰ নাম বহীত নাম লিখা লোকসকলৰ মাজত আছিল হয়, কিন্তু ওলাই তম্বুৰ ওচৰলৈ যোৱা নাছিল। যিয়েই নহওঁক লাগে, কিন্তু তেওঁলোকে ছাউনিত ভাববাণী প্ৰচাৰ কৰিবলৈ ধৰিলে। ২৭ তাতে এজন ডেকা মানুহে লৰি গৈ মোচিক ক’লে, “ইল্দদ আৰু মেদদে ছাউনিত ভাববাণী

প্ৰচাৰ কৰিছে।” ২৮ তেতিয়া মোচিৰ পৰিচাৰক, তেওঁৰ মনোনীত
লোক নুনৰ পুত্ৰ যিহোচূৱাই উত্তৰ দি ক’লে, “হে মোৰ প্ৰভু মোচি,
তেওঁলোকক নিষেধ কৰক।” ২৯ তাতে মোচিয়ে তেওঁ ক’লে, “তুমি
মোৰ পক্ষ হৈ ঈৰ্ষা কৰিছা নে? যিহোৱাৰ আটাইলোক ভাববাদী হোৱা
হ’লে, আৰু যিহোৱাই তেওঁলোকৰ ওপৰত নিজ আত্মা থাকিবলৈ
দিয়া হ’লে, মই কেনে সন্তোষ পালোঁহেঁতেন।” ৩০ পাছত মোচি আৰু
ইস্ৰায়েলৰ বৃদ্ধসকল ছাউনিলৈ গ’ল। ৩১ পাছত যিহোৱাৰ ওচৰৰ
পৰা বায়ু ওলাই সমুদ্ৰৰ পৰা ইমান বটা চৰাই আনি ছাউনিৰ ওপৰত
পেলালে, যে, ছাউনিৰ চাৰিওফালে ইকাষে-সিকাষে এদিনৰ বাটলৈকে,
সেইবোৰ দুহাত ওখ হৈ মাটিৰ ওপৰত পৰিল। ৩২ তাতে তেওঁলোকে
সেই ওৰে দিন ওৰে ৰাতি আৰু পিছদিনাও গোটেই দিন উঠি সেই
বটা চৰাইবোৰ গোটালে। তেওঁলোকৰ মাজত যেয়ে সকলোতকৈ
তাকৰকৈ গোটালে, তাৰো দহ হোমৰ আছিল। পাছত তেওঁলোকৰ
ছাউনিৰ চাৰিওফালে নিজৰ বাবে, তাক শুকাবলৈ মেলি দিলে। ৩৩
কিন্তু তেওঁলোকে দুই দাঁতৰ মাজত মঙহ কামোৰ মাৰি ধৰোঁতেই,
চোবোৱাৰ আগেয়ে লোকসকললৈ যিহোৱাৰ ক্ৰোধ জ্বলি উঠিল। তাতে
যিহোৱাই লোকসকলক অতিশয় মহামাৰীৰ দ্বাৰাই আঘাত কৰিলে।
৩৪ আৰু সেই ঠাইৰ নাম কিব্ৰোৎ-হত্তাবা [খঁকুৱা স্বভাৱৰ লোকসকলৰ
মৈদাম] ৰখা হ’ল; কিয়নো সেই ঠাইত তেওঁলোকে খঁকুৱা স্বভাৱৰ
লোকবোৰক মৈদাম দিলে। ৩৫ পাছত লোকসকলে কিব্ৰোৎ-হত্তাবাৰ
পৰা হচেৰোতলৈ যাত্ৰা কৰি সেই ঠাইতে থাকিল।

**১২** মোচিয়ে কুচ দেশীয় যি জনীক বিয়া কৰিছিল, সেই গৰাকীৰ
বিষয়ে মিৰিয়ম আৰু হাৰোণে মোচিৰ অহিতে কথা কলে; কাৰণ তেওঁ
এজনী কুচীয়া মহিলাৰ সৈতে বিয়া পাতিছিল। ২ তেওঁলোকে ক’লে,
“যিহোৱাই জানো কেৱল মোচিৰ যোগেদি কথা কয়? আমাৰ যোগেদি
নকয় জানো?” আৰু যিহোৱাই সেই কথা শুনিলে। ৩ পৃথিৱীত থকা
লোকসকলৰ মাজত মোচি সকলোতকৈ অতিশয় নম্ৰ লোক আছিল। ৪
পাছে যিহোৱাই পোনে পোনেই মোচি, হাৰোণ আৰু মিৰিয়মক ক’লে,
“তোমালোক তিনিওজন বাহিৰ হৈ সাক্ষাৎ কৰা তম্বুৰ গুৰিলৈ আহাঁ।”

তাতে তেওঁলোক তিনিওজন ওলাই গ'ল। ৫ তেতিয়া যিহোৱাই মেঘ-
স্তম্ভত নামি আহি, তম্বুৰ দুৱাৰ মুখত স্থিতি হৈ, হাৰোণ আৰু মিৰিয়মক
মাতিলে। তেতিয়া তেওঁলোক দুয়ো আগ বাঢ়ি গ'ল। ৬ যিহোৱাই ক'লে,
"এতিয়া তোমালোকে মোৰ বাক্য শুনা। তোমালোকৰ মাজত যদি
মোৰ কোনো ভাববাদী হয়, তেন্তে মই যিহোৱাই তেওঁৰ আগত কোনো
দৰ্শনৰ দ্বাৰাই নিজকে চিনাকি দিম, নাইবা সপোনত তেওঁৰ লগত কথা
হ'ম। ৭ মোৰ দাস মোচি তেনে নহয়। তেওঁ মোৰ ঘৰৰ আটাই লোকৰ
মাজত বিশ্বাসী। ৮ তেওঁৰে সৈতে মই নিগূঢ় বাক্যৰ দ্বাৰাই কথা নহওঁ,
কিন্তু মুখা-মুখি হৈ, স্পষ্টকৈ কথা হওঁ। আৰু তেওঁ মোৰ আকাৰ দেখে।
এই হেতুকে মোৰ দাস মোচিৰ অহিতে কথা ক'বলৈ তোমালোকে কিয়
ভয় নকৰিলা?" ৯ তাতে তেওঁলোকলৈ যিহোৱাৰ ক্ৰোধ জ্বলি উঠিল
আৰু তেওঁ প্ৰস্থান কৰিলে। ১০ পাছে তম্বুৰ ওপৰৰ পৰা মেঘ গুচিলত,
চোৱা, মিৰিয়মৰ গাত হিমৰ দৰে কুষ্ঠৰোগ হ'ল - তেতিয়া হাৰোণে
মিৰিয়মৰ ফাললৈ মুখ ঘূৰাই চাই তেওঁক কুষ্ঠৰোগ হোৱাতো তেওঁ
দেখিলে। ১১ তেতিয়া হাৰোণে মোচিক ক'লে, "হায় হায় মোৰ প্ৰভু,
আমি মুৰ্খৰ দৰে কাৰ্য কৰি যি পাপ কৰিলোঁ, বিনয় কৰিছোঁ, সেই
পাপৰ ফল আমাক ভোগ কৰিবলৈ নিদিয়ক। ১২ মাকৰ গৰ্ভৰ পৰা
ওলোৱা কালত যাৰ মাংস আধা নষ্ট, এনে মৰা গৰ্ভফলৰ দৰে এওঁক
হ'বলৈ নিদিয়ক।" ১৩ তেতিয়া মোচিয়ে যিহোৱাৰ আগত কাতৰোক্তি
কৰি ক'লে, "হে ঈশ্বৰ, বিনয় কৰিছোঁ, এওঁক সুস্থ কৰক।" ১৪ পাছত
যিহোৱাই মোচিক ক'লে, "তেওঁৰ বাপেকে তেওঁৰ মুখত যদি কেৱল
থুই পেলালেহেঁতেন, তেনেহলে তেওঁৰ জানো সাত দিনলৈকে লাজ
কৰি নাথাকিলহেঁতেন? এই হেতুকে তেওঁ সাত দিন ছাউনিৰ বাহিৰে
বন্ধ হৈ থাওঁক, পাছত তেওঁক পুনৰায় ভিতৰলৈ আনিবা।" ১৫ তেতিয়া
মিৰিয়মক সাদিন ছাউনিৰ বাহিৰত বন্ধ কৰি ৰখা হ'ল; যেতিয়ালৈকে
মিৰিয়মক ভিতৰলৈ অনা নহ'ল, তেতিয়ালৈকে লোকসকলে যাত্ৰা
নকৰিলে। ১৬ পাছত লোকসকলে হচেৰোতৰ পৰা যাত্ৰা কৰি, পাৰণ
মৰুভূমি ছাউনি পাতিলে।

১৩ তেতিয়া যিহোৱাই মোচিক ক'লে, ২ "মই ইস্রায়েল সন্তান
সকলক যি দেশ দিম, সেই কনান দেশ গুপুতে চাবলৈ তুমি কেইজনমান
মানুহ পঠোৱা। তোমালোকে তেওঁলোকৰ নিজ নিজ পিতৃ-বংশৰ
প্ৰত্যেকখন ফৈদৰ পৰা এজন এজন অধ্যক্ষক পঠোৱা।" ৩ তেতিয়া
যিহোৱাৰ আজ্ঞা অনুসাৰে মোচিয়ে পাৰণ মৰুভূমিৰ পৰা তেওঁলোকক
পঠিয়ালে। তেওঁলোক সকলোৱে ইস্রায়েলৰ সন্তান সকলৰ মূল মানুহ
আছিল। ৪ তেওঁলোকৰ নাম এই এই; ৰূবেণ ফৈদৰ মাজৰ জক্কুৰৰ
পুত্ৰ চম্মুৱা। ৫ চিমিয়োন ফৈদৰ মাজৰ হোৰীৰ পুত্ৰ চাফট। ৬ যিহূদা
ফৈদৰ মাজৰ যিফুন্নিৰ পুত্ৰ কালেব। ৭ ইচাখৰ ফৈদৰ মাজৰ যোচেফৰ
পুত্ৰ যিগাল। ৮ ইফ্ৰয়িম ফৈদৰ মাজৰ নুনৰ পুত্ৰ হোচেয়া। ৯ বিন্যামীন
ফৈদৰ মাজৰ ৰাফূৰ পুত্ৰ পল্টী। ১০ জবূলূন ফৈদৰ মাজৰ চোদীৰ
পুত্ৰ গদ্দীয়েল। ১১ যোচেফ ফৈদৰ অৰ্থাৎ মনচি ফৈদৰ মাজৰ চুচীৰ
পুত্ৰ গদ্দী। ১২ দান ফৈদৰ মাজৰ গমল্লীৰ পুত্ৰ অম্মীয়েল। ১৩ আচেৰ
ফৈদৰ মাজৰ মীখায়েলৰ পুত্ৰ চথূৰ। ১৪ নপ্তালী ফৈদৰ মাজৰ বফচীৰ
পুত্ৰ নহ্বী। ১৫ গাদ ফৈদৰ মাজৰ মাখীৰ পুত্ৰ গূৱেল। ১৬ এই এই
নামৰ লোকসকল মোচিয়ে গুপুতে দেশ চাবলৈ পঠিয়ালে। মোচিয়ে
নুনৰ পুত্ৰ হোচেয়াৰ নাম যিহোচূৱা ৰাখিলে। ১৭ কনান দেশ চাবলৈ
পঠোৱা সময়ত মোচিয়ে তেওঁলোকক ক'লে, "তোমালোক এই দক্ষিণ
অঞ্চলেদি গৈ পৰ্ব্বতত উঠাগৈ। ১৮ আৰু সেই দেশ কেনেকুৱা আৰু
তাত বাস কৰা লোকসকল বলী নে নিৰ্ব্বলী আৰু তাকৰ নে সৰহ। ১৯
আৰু তেওঁলোক যি দেশত বাস কৰিছে, সেই দেশ কেনেকুৱা, ভাল নে
বেয়া আৰু যি যি নগৰত তেওঁলোকে বাস কৰিছে, সেইবোৰ নগৰ
কেনেধৰণৰ, মুকলি নে গড়েৰে আবৃত হোৱা? ২০ আৰু সিহঁতৰ মাটি
কেনেকুৱা, সাৰুৱা নে অসাৰোৱা, তাৰ মাজত গছ-গছনি আছে নে
নাই, এই সকলোকে তোমালোকে চাবা। তোমালোকে সাহিয়াল হোৱা
আৰু সেই দেশৰ কোনো কোনো ফল লগত আনিবা।" তেতিয়া প্ৰথমে
পকা দ্ৰাক্ষাফলৰ সময় আছিল। ২১ তাতে তেওঁলোকে উঠি গৈ, ছিন
মৰুভূমিৰ পৰা ৰহোবলৈ, হমাতৰ প্ৰৱেশস্থানলৈকে দেশখন গুপুতে
চালে। ২২ তেওঁলোক দক্ষিণ অঞ্চলেদি গৈ, হিব্ৰোণলৈকে উঠিল, সেই

ঠাইতে অহিমন, চেচয় আৰু তল্ময়, এই তিনিজন অনাক'ৰ সন্তান আছিল। মিচৰ দেশত থকা চোৱন নগৰ স্থাপন কৰাৰ সাত বছৰৰ আগেয়ে হিব্ৰোণ স্থাপন কৰা হ'ল। ২৩ পাছত তেওঁলোকে ইষ্কোল উপত্যকালৈ আহি সেই ঠাইতে এথোপা দ্ৰাক্ষাফল থকা দ্ৰাক্ষালতাৰ এটা ডাল কাটি, কানমাৰি লগাই দুজনে সাঙ্গী কৰি ল'লে আৰু কিছুমান ডালিম আৰু ডিমৰু ফলো লগত ললে। ২৪ ইস্ৰায়েলৰ সন্তান সকলে সেই ঠাইতে সেই দ্ৰাক্ষাৰ থোপা কাটিলে দেখি, সেই ঠাইৰ নাম ইষ্কোল উপত্যকা ৰখা হ'ল। ২৫ চল্লিশ দিনৰ পাছত, তেওঁলোকে দেশ চাই উলটি আহিল। ২৬ পাছত তেওঁলোকে পাৰণ মৰুভূমিৰ কাদেচলৈ, মোচি, হাৰোণ আৰু ইস্ৰায়েলৰ সন্তান সকলৰ গোটেই মণ্ডলীৰ গুৰিলৈ আহি, তেওঁলোকক আৰু গোটেই সমাজক সম্বাদ দিলে আৰু সেই দেশৰ ফল তেওঁলোকক দেখুৱালে। ২৭ আৰু তেওঁলোকে মোচিক ক'লে, "আপুনি যি দেশলৈ আমাক পঠাইছিল, আমি সেই দেশলৈ গৈছিলোঁ। সঁচাকৈ সেই দেশ গাখীৰ আৰু মৌজোল বৈ থকা দেশ। চাওঁক এইয়া তাৰ ফল। ২৮ সেই দেশত থকা লোকসকল বলী আৰু নগৰবোৰ গড়েৰে আবৃত আৰু অতি ডাঙৰ। আৰু সেই ঠাইতে আমি অনাকীয়া সন্তান সকলকো দেখিলোঁ। ২৯ দক্ষিণ অঞ্চলত অমালেকে বাস কৰিছে। আৰু পৰ্ব্বতত হিত্তীয়া, যিবুচীয়া, আৰু ইমোৰীয়া লোকসকলে বাস কৰিছে। সমুদ্ৰৰ দাঁতিত আৰু যৰ্দ্দনৰ পাৰত কনানীয়া লোকসকলে বাস কৰিছে।" ৩০ পাছত কালেবে মোচিৰ আগত লোকসকলক শান্ত কৰিবৰ অৰ্থে ক'লে, "আহা, আমি একেবাৰে উঠি গৈ, তাক অধিকাৰ কৰোঁ; কিয়নো তাক জয় কৰিবলৈ অৱশ্যে আমাৰ অধিক শক্তি আছে।" ৩১ কিন্তু যি লোকসকল তেওঁৰ লগত গৈছিল, তেওঁলোকে ক'লে, "আমি সেই লোকসকলৰ বিৰুদ্ধে উঠি যাব নোৱাৰোঁ, কিয়নো আমাতকৈ সিহঁত বলী।" ৩২ এইদৰে, তেওঁলোকে যি দেশ চাবলৈ গৈছিল, ইস্ৰায়েলৰ সন্তান সকলৰ আগত সেই দেশ দুৰ্যশ কৰি ক'লে, "আমি যি দেশৰ মাজেদি চাই চাই গৈছিলোঁ; সেই দেশ নিজৰ নিবাসীসকলক গ্ৰাস কৰোঁতা দেশ। আৰু তাৰ মাজত আমি যিমান মানুহ দেখিলোঁ, তেওঁলোক অতি ওখ ওখ লোক। ৩৩ আৰু তাৰ নাফিল বংশ অনাকৰ

সন্তান নাফিলসকলক দেখি, আমাৰ মানত আমি ফৰিঙৰ নিচিনা
হ'লো; আৰু সিহঁতৰ দৃষ্টিতো তেনেকুৱাই আছিলোঁ।"

**১৪** পাছত গোটেই সমাজে বৰকৈ ক্ৰন্দন কৰিলে; সেই ৰাতি
তেওঁলোকে সকলোৱে চকুলো টুকিলে। ২ আৰু ইস্ৰায়েলৰ সন্তান
সকলৰ সকলোৱে মোচি আৰু হাৰোণৰ অহিতে নিন্দা কৰিবলৈ
ধৰিলে। আৰু গোটেই সমাজে তেওঁলোকৰ আগতে ক'লে, "হায় হায়,
আমি এই মৰুভূমিত মৰাতকৈ মিচৰ দেশতেই মৰা হ'লে কেনে ভাল
আছিল! ৩ যিহোৱাই আমাক তৰোৱালৰ আগত পেলাবলৈ আৰু
আমাৰ পত্নীসকল আৰু আমাৰ কনমানি সকলক লুট কৰাবলৈ এই
দেশলৈ আমাক কিয় আনিছে? মিচৰ দেশলৈ উলটি যোৱা জানো
আমাৰ পক্ষে ভাল নহয়?" ৪ পাছত তেওঁলোকে ইজনে সিজনক
ক'লে, "আহাঁ, আমি কোনো এজনক প্ৰধান কৰি লৈ মিচৰ দেশলৈ
উলটি যাওঁ ব'লা।" ৫ তেতিয়া মোচি আৰু হাৰোণে ইস্ৰায়েলৰ সন্তান
সকলৰ সমাজৰ, আৰু তেওঁলোকৰ গোটেই গোট খোৱা সমাজৰ
আগত উবুৰি হৈ পৰিল। ৬ দেশ গুপুতে চাই অহাসকলৰ মাজত
নুনৰ পুত্ৰ যিহোচূৱা আৰু যিফুন্নিৰ পুত্ৰ কালেবে নিজ নিজ কাপোৰ
ফালিলে। ৭ ইস্ৰায়েলৰ সন্তান সকলৰ গোটেই সমাজক ক'লে, "আমি
যি দেশ চাবলৈ দেশৰ মাজেদি গৈছিলোঁ সেয়ে যাৰ পাৰ নাই উত্তম
দেশ। ৮ যিহোৱাই যদি আমাত সন্তোষ পায়, তেন্তে তেওঁ আমাক
সেই দেশলৈ নিব, গাখীৰ আৰু মৌজোল বোৱা সেই দেশ আমাক
দিব। ৯ কেৱল তোমালোকে কোনো ধৰণৰ যিহোৱাৰ বিৰুদ্ধে বিদ্ৰোহ
আচৰণ নকৰিবা, সেই দেশৰ লোকসকললৈ ভয়ো নকৰিবা। কিয়নো
তেওঁলোক আমাৰ ভক্ষ্যনস্বৰূপ। সিহঁতৰ আশ্ৰয় সিহঁতৰ পৰা গুচিল,
কাৰণ যিহোৱা আমাৰ সঙ্গত আছে; তেওঁলোকলৈ ভয় নকৰিবা।" ১০
কিন্তু গোটেই সমাজে তেওঁলোকক শিল দলিয়াই বধ কৰিবলৈ ক'লে,
তাতে সাক্ষাৎ কৰা তম্বুত যিহোৱাৰ প্ৰতাপ ইস্ৰায়েলৰ সন্তান সকলৰ
আগত প্ৰকাশিত হ'ল। ১১ পাছত যিহোৱাই মোচিক ক'লে, "এই
লোকসকলে কিমান দিন মোক হেয়জ্ঞান কৰিব? আৰু তেওঁলোকৰ
মাজত মই দেখুউৱা আটাইবোৰ চিন দেখিও, তেওঁলোকে কিমান কাল

মোত অবিশ্বাস কৰি থাকিব? ১২ মই মহামাৰীৰ দ্বাৰাই তেওঁলোকক
আঘাত কৰিম আৰু তেওঁলোকৰ আধিপত্য গুচাম আৰু তেওঁলোকতকৈ
তোমাকেই ডাঙৰ আৰু বলৱান জাতি কৰিম।" ১৩ মোচিয়ে যিহোৱাক
ক'লে, "তেনে কৰিলে, মিচৰীয়াসকলে তাক শুনিবলৈ পাব; কিয়নো
সিহঁতৰেই মাজৰ পৰা তুমি নিজ শক্তিৰ দ্বাৰাই এই লোকসকলক
উলিয়াই আনিলা। ১৪ আৰু তেওঁলোকে এই দেশ নিবাসীসকলকো
সম্বাদ দিব। তেওঁলোকে শুনিছে, যে, তুমি যিহোৱা এই লোকসকলৰ
মাজত আছা, তুমি যিহোৱাই সন্মুখা-সন্মুখিকৈ তেওঁলোকক দৰ্শন
দি থাকা, তোমাৰ মেঘ তেওঁলোকৰ ওপৰত আছে আৰু তুমি দিনত
মেঘ-স্তম্ভ আৰু ৰাতি অগ্নি স্তম্ভত তেওঁলোকৰ আগে আগে যোৱা।
১৫ এতিয়া যদি তুমি এই লোকসকলক এজনক মৰাৰ দৰে মাৰা,
তেন্তে এই যি আন জাতি সমূহে তোমাৰ যশস্যাৰ কথা শুনিছে, সিহঁতে
ক'ব, ১৬ 'যিহোৱাই এই লোকসকলক যি দেশ দিবলৈ শপত কৰিছিল,
সেই দেশলৈ তেওঁলোকক নিবলৈ তেওঁ অসমৰ্থ হ'ল, এই কাৰণে
অৰণ্যত তেওঁলোকক মাৰিলে। ১৭ এতিয়া মই এই নিবেদন কৰোঁ,
যে, যিহোৱা ক্ৰোধত ধীৰ আৰু দয়াতো মহান, অপৰাধ আৰু আজ্ঞা-
লঙ্ঘন ক্ষমা কৰোঁতা, তথাপি তেওঁ অৱশ্যে দোষীক নিৰ্দ্দোষী নকৰে
আৰু তৃতীয় চতুৰ্থ পুৰুষলৈকে সন্তান সকলক পিতৃসকলৰ অপৰাধৰ
প্ৰতিফল দিওঁতা, ১৮ তুমি এই কথা কোৱামতে প্ৰভুৰ মহৎ প্ৰভাৱ
দেখা যাওঁক। ১৯ বিনয় কৰোঁ, তুমি মিচৰ দেশৰ পৰা এতিয়ালৈকে
এই লোকসকলক যেনেকৈ ক্ষমা কৰি আহিছা, তেনেকৈ তোমাৰ
মহৎ কৃপাৰ দৰে তেওঁলোকৰ এই অপৰাধ ক্ষমা কৰা।" ২০ তেতিয়া
যিহোৱাই ক'লে, "তোমাৰ বাক্যমতে মই তেওঁলোকক ক্ষমা কৰিলোঁ।
২১ তথাপি মই যদি সঁচাকৈ জীৱন্ত ঈশ্বৰ হওঁ আৰু গোটেই পৃথিৱী
যদি যিহোৱাৰ প্ৰতাপেৰে পৰিপূৰ্ণ হয়, ২২ তেন্তে তেওঁলোকৰ মাজত
যিমান লোকে মোৰ প্ৰতাপ আৰু মিচৰত ও মৰুভূমিত দেখুউৱা মোৰ
চিন দেখিও, এই দহবাৰ মোক পৰীক্ষা কৰিছে আৰু মোৰ বাক্যলৈ
কাণ নকৰা হৈছে। ২৩ তেওঁলোকৰ পূৰ্বপুৰুষ সকলক মই যি দেশ
দিবলৈ শপত কৰিছিলোঁ, তেওঁলোকৰ কোনেও সেই দেশ দেখিবলৈ

নাপাব, মোক হেয়জ্ঞান কৰা সকলৰ কোনেও তাক দেখা নাপাব,
২৪ কিন্তু মোৰ দাস কালেবৰ মন বেলেগ, তেওঁ সম্পূৰ্ণকৈ মোৰ
আজ্ঞামতে চলিলে; এতেকে কেৱল তেওঁ যি দেশত সোমাল, সেই
দেশৰ ভিতৰলৈ মই তেওঁক নিম আৰু তেওঁৰ বংশই তাক অধিকাৰ
কৰিব। ২৫ অমালেকীয়া আৰু কনানীয়া লোকসকলে উপত্যকাত
বাস কৰিছে; কাইলৈ তোমালোকে মুখ ঘূৰাই চূফ সাগৰৰ বাটেদি
মৰুভূমিলৈ যাবা।" ২৬ পাছত যিহোৱাই মোচি আৰু হাৰোণক ক'লে।
তেওঁ ক'লে, ২৭ "মোৰ বিৰুদ্ধে নিন্দা কৰি থকা এই দুষ্ট সমাজৰ ভাৰ
মই কিমান কাল সহিম? ইস্রায়েলৰ সন্তান সকলে মোৰ বিৰুদ্ধে যি যি
বকিছিল, তাক মই শুনিলোঁ। ২৮ তুমি তেওঁলোকক কোৱা, যিহোৱাই
এই কথা কৈছে, 'মোৰ জীৱনৰ শপত', 'তোমালোকে মোৰ কাণত
যি ক'লা, অৱশ্যে মই তোমালোকলৈ তাক কৰিম ২৯ তোমালোকৰ
সম্পূৰ্ণ সংখ্যা অনুসাৰে গণিত হোৱা বিশ বছৰ আৰু তাতকৈয়ো অধিক
বয়সীয়া তোমালোকৰ যি সকলো লোকে মোৰ অহিতে বকিছিল,
তোমালোকৰ সেই সকলোৰ শৱ এই মৰুভূমিত পতিত হ'ব। ৩০ মই
তোমালোকক যি দেশত বাস কৰাবলৈ শপত কৰিছিলোঁ, সেই দেশত
তোমালোকে সোমাবলৈ নাপাবা; কেৱল যিফুন্নিৰ পুত্ৰ কালেব আৰু
নুনৰ পুত্ৰ যিহোচূৱা সোমাব। ৩১ কিন্তু তোমালোকে নিজৰ যি ল'ৰা-
ছোৱালীবোৰৰ বিষয়ে লুটদ্ৰব্য হ'ব বুলি কৈছিলা, মই তেওঁলোকক তাত
সোমোৱাম; আৰু তোমালোকে যি দেশ অগ্ৰাহ্য কৰিলা, তেওঁলোকে
তাৰ পৰিচয় পাব। ৩২ কিন্তু তোমালোকৰ বিষয়ে হ'লে, তোমালোকৰ
শৱ এই মৰুভূমিত পতিত হ'ব। ৩৩ আৰু তোমালোকৰ সন্তান সকলে
চল্লিশ বছৰ এই মৰুভূমিত ভ্ৰমি ফুৰি, মৰুভূমিত তোমালোকৰ শৱৰ
সংখ্যা পূৰ নহয়মানলৈকে তোমালোকৰ ব্যভিচাৰৰ ফল সিহঁতে ভোগ
কৰিব। ৩৪ তোমালোকে যি চল্লিশ দিন দেশ চাই ফুৰিছিলা সেই দিনৰ
লেখ অনুসাৰে চল্লিশ বছৰ অৰ্থাৎ এক এক বছৰ তোমালোকে নিজ
নিজ অপৰাধৰ ফল ভোগ কৰিবা; আৰু মোৰ বিপক্ষতা কেনে তাক
জানিবলৈ পাবা। ৩৫ মই যিহোৱাই ইয়াক ক'লোঁ। মোৰ বিপৰীতে
গোট খোৱা এই গোটেই দুষ্ট সমাজলৈ মই ইয়াক অৱশ্যে কৰিম;

এই অৰণ্যত তেওঁলোক নিচেইকৈ বিনষ্ট হ'ব, এই ঠাইতে তেওঁলোক
মৰিব'।" ৩৬ পাছত দেশ চাবলৈ মোচিয়ে পঠোৱা যি লোকসকলে
উলটি আহি সেই দেশৰ কুযশ কৰি তেওঁৰ অহিতে গোটেই সমাজক
বকাইছিল, ৩৭ দেশৰ কুযশ কৰা সেই লোকসকল যিহোৱাৰ আগত
মহামাৰীৰ দ্বাৰাই মৰিল। ৩৮ দেশ চাবলৈ যোৱা সেই লোক সকলৰ
মাজত কেৱল নুনৰ পুত্ৰ যিহোচূৱা আৰু যিফুন্নিৰ পুত্ৰ কালেব জীয়াই
থাকিল। ৩৯ মোচিয়ে ইস্ৰায়েলৰ সন্তান সকলক সেই সকলো কথা
যেতিয়া জনালে, লোকসকলে অতিশয় শোক কৰিলে। ৪০ পাছত
তেওঁলোকে ৰাতিপুৱাতে ওলাই পৰ্ব্বতৰ টিঙলৈ উঠিবলৈ উদ্যত হৈ
ক'লে, "চোৱা, এইয়া আমি আছোঁ, যিহোৱাই যি ঠাইৰ বিষয়ে প্ৰতিজ্ঞা
কৰিছিল, আমি সেই ঠাইলৈ যাওঁ; কিয়নো আমি পাপ কৰিলোঁ।" ৪১
তাতে মোচিয়ে ক'লে, এতিয়া যিহোৱাৰ আজ্ঞা কিয় লঙ্ঘন কৰিছা?
তোমালোকৰ সেই কাৰ্য সাম্ফল নহ'ব। ৪২ তোমালোকে উঠি নাযাবা,
কাৰণ যিহোৱা তোমালোকৰ মাজত নাই; গ'লে শত্ৰুৰ আগত পৰাজয়
হ'বা। ৪৩ কিয়নো অমালেকীয়া আৰু কনানীয়া লোকসকল সেই ঠাইত
তোমালোকৰ আগত আছে আৰু তোমালোক তৰোৱালৰ ধাৰত পতিত
হ'বা। তোমালোক যিহোৱাৰ পাছত চলিবলৈ বিমুখ হোৱাত যিহোৱা
তোমালোকৰ লগত নাথাকিব।" ৪৪ তথাপি তেওঁলোকে কুসাহ কৰি,
পৰ্ব্বতৰ টিঙলৈ উঠি গ'ল; কিন্তু যিহোৱাৰ নিয়ম চন্দুক আৰু মোচি
ছাউনিৰ পৰা নগ'ল। ৪৫ তেতিয়া সেই পৰ্ব্বতত থকা অমালেকীয়া
আৰু কনানীয়া লোকসকল নামি আহি তেওঁলোকৰ কিছুমানক বধ
কৰিলে, আৰু হৰ্মালৈকে তেওঁলোকক আঘাত কৰি কৰি খেদিলে।

**১৫** পাছত যিহোৱাই মোচিক ক'লে। তেওঁ ক'লে, ২ "তুমি ইস্ৰায়েলৰ
সন্তান সকলক কোৱা, তেওঁলোকক এই আজ্ঞা দিয়া, 'মই তোমালোকক
যি দেশ দিম, তোমালোকে বসতি কৰিব লগা সেই দেশত সোমোৱাৰ
পাছত, ৩ যেতিয়া তোমালোকে প্ৰতিজ্ঞা সিদ্ধিৰ অৰ্থে বা নিজ ইচ্ছাৰে
এনেই দিবৰ অৰ্থে নাইবা তোমালোকৰ পৰ্ব্বৰ দিনত, গৰু, কি মেৰ,
কি মেৰ-ছাগৰ জাকৰ পৰা আনি যিহোৱাক সুঘ্ৰাণ দিবৰ কাৰণে, হোম-
বলি বা মঙ্গলাৰ্থক বলি আদি অগ্নিকৃত উপহাৰ যিহোৱাৰ উদ্দেশ্যে

উৎসৰ্গ কৰিবা, ৪ তেতিয়া যিহোৱাৰ উদ্দেশ্যে উপহাৰ উৎসৰ্গ কৰা
লোকে হোম-বলি আৰু আন বলিৰ অৰ্থে দিয়া প্ৰত্যেক মেৰে সৈতে,
হীনৰ চাৰিভাগৰ এভাগ এভাগ তেল মিহলোৱা মিহি আটাগুড়িৰ দহ
ভাগৰ এভাগ ভক্ষ্য নৈবেদ্য আনিব। ৫ আৰু তুমি হীনৰ চাৰিভাগৰ
এভাগ দ্ৰাক্ষাৰসৰ পেয় নৈবেদ্য যুগুত কৰিবা। ৬ বা এটা মতা মেৰে
সৈতে, তুমি যিহোৱাৰ উদ্দেশ্যে সুঘ্ৰাণৰ অৰ্থে, হীনৰ তিনি ভাগৰ
এভাগ তেল মিহলোৱা মিহি আটাগুড়ি দহ ভাগৰ দুভাগেৰে ভক্ষ্য
নৈবেদ্য যুগুত কৰিবা। ৭ আৰু পেয় নৈবেদ্যৰ বাবে হীনৰ তিনি ভাগৰ
এভাগ দ্ৰাক্ষাৰস উৎসৰ্গ কৰিবা। ৮ আৰু যিহোৱাৰ অৰ্থে প্ৰতিজ্ঞা
সিদ্ধ কৰিবলৈ, বা মঙ্গলাৰ্থক বলিৰ অৰ্থে যেতিয়া তুমি হোম বলি বা
আন বলিস্বৰূপে দমৰা গৰু উৎসৰ্গ কৰিবা, ৯ তেতিয়া সেই দমৰাই
সৈতে, হীনৰ আধা ভাগ তেল মিহলোৱা দহ ভাগৰ তিনি ভাগ মিহি
আটাগুড়িৰ ভক্ষ্য নৈবেদ্য অনা হ'ব। ১০ আৰু পেয় নৈবেদ্যৰ অৰ্থে
হীনৰ আধা ভাগ দ্ৰাক্ষাৰস আনিবা; সেয়ে যিহোৱাৰ উদ্দেশ্যে সুঘ্ৰাণ
দিয়া অগ্নিকৃত উপহাৰ হ'ব। ১১ প্ৰত্যেক দমৰা নাইবা প্ৰত্যেক মতা
মেৰ, বা প্ৰত্যেক মতা মেৰ পোৱালি; বা প্ৰত্যেক মেৰ-ছাগ পোৱালিৰ
কাৰণে এইদৰে কৰিব লাগিব। ১২ তোমালোকে যিমান পশু উৎসৰ্গ
কৰিবা, সেইবোৰৰ সংখ্যা অনুসাৰে প্ৰত্যেক পশুলৈ এইদৰে কৰিবা।
১৩ স্বদেশীয় লোকসকলে যিহোৱাৰ উদ্দেশ্যে সুঘ্ৰাণৰ অৰ্থে অগ্নিকৃত
উপহাৰ উৎসৰ্গ কৰিবৰ সময়ত, তেওঁলোক আটায়ে এই নিয়মৰ দৰে
সেই সকলো যুগুত কৰিব। ১৪ আৰু তোমালোকৰ লগত প্ৰবাস কৰা
কোনো বিদেশী লোকে, নাইবা তোমালোকৰ মাজত পুৰুষানুক্ৰমে
বাস কৰা কোনো লোকে যদি যিহোৱাৰ উদ্দেশ্যে সুঘ্ৰাণ দিবৰ অৰ্থে
অগ্নিকৃত উপহাৰ উৎসৰ্গ কৰিব খোজে, তেন্তে তোমালোকে যেনেকৈ
কৰা, তেৱোঁ তেনেকৈ কৰিব। ১৫ সমাজৰ কাৰণে হ'লে, তোমালোক
আৰু তোমালোকৰ মাজত প্ৰবাস কৰা বিদেশী লোক, উভয়ৰে একেটা
বিধি হ'ব: এয়ে তোমালোকৰ পুৰুষানুক্ৰমে পালন কৰিবলগীয়া চিৰ
স্থায়ী বিধি। যিহোৱাৰ আগত তোমালোক যেনে, বিদেশীও তেনে।
১৬ তোমালোকৰ আৰু তোমালোকৰ মাজত প্ৰবাস কৰা বিদেশী,

উভয়েৰে একে বিধি আৰু একে শাসন প্ৰণালী হ’ব’।” ১৭ পাছত
যিহোৱাই মোচিক ক’লে। তেওঁ ক’লে, ১৮ “তুমি ইস্ৰায়েলৰ সন্তান
সকলক কোৱা, তেওঁলোকক এই আজ্ঞা দিয়া, ‘মই তোমালোকক যি
দেশলৈ লৈ আহিছোঁ, সেই দেশত সোমোৱাৰ পাছত, ১৯ তোমালোকে
সেই দেশৰ অন্ন ভোজন কৰা কালত, যিহোৱাৰ উদ্দেশ্যে উত্তোলনীয়
নৈবেদ্য উৎসৰ্গ কৰিবা। ২০ তোমালোকে প্ৰথমে উৎপন্ন হোৱা শস্যৰ
খৰচীয়া আটাৰ এটা পিঠা উত্তোলনীয় নৈবেদ্যস্বৰূপে উৎসৰ্গ কৰিবা;
মৰণা মৰা খোলাৰ উত্তোলনীয় নৈবেদ্যৰ নিচিনাকৈ ইয়াকো উৎসৰ্গ
কৰিবা। ২১ তোমালোকে পুৰুষানুক্ৰমে প্ৰথমে উৎপন্ন হোৱা শস্যৰ
নিজ নিজ খৰচিয়া আটাৰ কিছু উত্তোলনীয় নৈবেদ্যস্বৰূপে যিহোৱাৰ
উদ্দেশ্যে উৎসৰ্গ কৰিবা। ২২ মোচিক যিহোৱাই কোৱা এই সকলো
আজ্ঞা, তোমালোক ইস্ৰায়েলৰ সন্তান সকলে পালন কৰা নাছিলা,
যদিওবা পালন নকৰিবলৈ তোমালোকৰ কোনো উদ্দেশ্য নাছিল, ২৩
অৰ্থাৎ যিহোৱাই যি দিনা তোমালোকক আজ্ঞা দিছিল, সেই দিনাৰ
পৰা তোমালোকৰ পুৰুষানুক্ৰমে তেওঁ মোচিৰ দ্বাৰাই যি যি আজ্ঞা
কৰিছিল, সেই সকলোকে যেতিয়া তোমালোকে ভূলক্ৰমে পালন
নকৰা। ২৪ তেতিয়া সেয়ে যদি সমাজে নজনাকৈ ভূলক্ৰমে কৰা
হয়, তেন্তে গোটেই সমাজে যিহোৱাৰ উদ্দেশ্যে সুঘ্ৰাণৰ অৰ্থে হোমৰ
কাৰণে এটা দমৰা আৰু নিয়ম মতে তাৰ ভক্ষ্য আৰু পেয় নৈবেদ্য
আৰু পাপাৰ্থক বলিৰ কাৰণে এটা মতা মেৰ-ছাগ উৎসৰ্গ কৰিব।
২৫ আৰু পুৰোহিতে ইস্ৰায়েলৰ সন্তান সকলৰ গোটেই প্ৰায়শ্চিত্ত
কৰিব; তাতে তেওঁলোকক ক্ষমা কৰা হ’ব। কিয়নো তাক ভূলক্ৰমে
কৰা হ’ল আৰু তেওঁলোকে সেই ভূলৰ কাৰণে যিহোৱাৰ উদ্দেশ্যে
তেওঁলোকৰ উপহাৰ, তেওঁলোকৰ অগ্নিকৃত উপহাৰ আনিলে আৰু
যিহোৱাৰ উদ্দেশ্যে তেওঁলোকৰ পাপাৰ্থক বলিও আনিলে। ২৬ এইদৰে
ইস্ৰায়েলৰ সন্তান সকলৰ গোটেই সমাজক আৰু তেওঁলোকৰ মাজত
প্ৰবাস কৰা বিদেশীক ক্ষমা কৰা হ’ব; কিয়নো সকলো লোকৰ সম্পৰ্কে
সেই কাৰ্য ভূলক্ৰমে কৰা হ’ল। ২৭ আৰু যদি কোনো মানুহে ভূলক্ৰমে
পাপ কৰে, তেন্তে, সি পাপাৰ্থক বলিস্বৰূপে এজনী এবছৰীয়া মেৰ-

ছাগ উৎসৰ্গ কৰিব লাগিব। ২৮ আৰু যিহোৱাৰ সাক্ষাতে সেই লোকে
ভূলক্রমে পাপ কৰাত, সেই ভূল কৰা লোকক প্ৰায়শ্চিত্ত কৰিবলৈ
পুৰোহিতে তেওঁৰ বাবে প্ৰায়শ্চিত্ত কাৰ্য কৰিব; তাতে তেওঁক ক্ষমা কৰা
হ'ব। ২৯ ইস্রায়েলৰ সন্তান সকলৰ স্বজাতীয় বা তেওঁলোকৰ মাজত
প্রাবস কৰা বিদেশী হওঁক উভয়ৰে বাবে, ভূলক্রমে কোনো কাৰ্য কৰা
লোকৰ অৰ্থে একেটা বিধি হ'ব। ৩০ কিন্তু স্বদেশীয় কি বিদেশীয় যি
লোকে কৰোঁ বুলি পাপ কৰিব, তেওঁ যিহোৱাক অপমান কৰা হ'ব;
সেই লোকক নিজ লোকসকলৰ মাজৰ পৰা উচ্ছন্ন কৰা হ'ব। ৩১
কিয়নো তেওঁ যিহোৱাৰ বাক্য হেয়জ্ঞান কৰিলে আৰু তেওঁৰ আজ্ঞা
লঙ্ঘন কৰিলে; অৱশ্যে সেই মানুহক উচ্ছন্ন কৰা হ'ব আৰু তাৰ দোষ
তাৰ গাতে থাকিব'।" ৩২ ইস্রায়েলৰ সন্তান সকল যেতিয়া মৰুভূমিত
আছিল, তেতিয়া তেওঁলোকে বিশ্ৰাম দিনত এজনক খৰি বুটলা পালে।
৩৩ আৰু যিসকলে তেওঁক খৰি বুটলা পাইছিল, তেওঁলোকে মোচি,
হাৰোণ আৰু গোটেই সমাজৰ আগলৈ তেওঁক আনিলে। ৩৪ আৰু
তেওঁলোকে তেওঁক বন্ধ কৰি ৰাখিলে; কিয়নো তেওঁলৈ কি কৰা উচিত,
সেয়ে ঠিককৈ প্ৰকাশিত হোৱা নাছিল। ৩৫ পাছত যিহোৱাই মোচিক
ক'লে, "সেই মানুহৰ প্ৰাণদণ্ড অৱশ্যে হ'ব লাগে; গোটেই সমাজে
তাক ছাউনিৰ বাহিৰলৈ নি শিল দলিয়াই বধ কৰিব। ৩৬ তেতিয়া,
যিহোৱাই মোচিক আজ্ঞা দিয়াৰ দৰে, গোটেই সমাজে তেওঁক ছাউনিৰ
বাহিৰলৈ লৈ গৈ, তেওঁ মৰাকৈ, তেওঁলৈ শিল দলিয়ালে। ৩৭ পাছত
যিহোৱাই আকৌ মোচিক ক'লে। তেওঁ ক'লে ৩৮ "তুমি ইস্রায়েলৰ
সন্তান সকলক কোৱা, তেওঁলোকক এই আজ্ঞা দিয়া; তেওঁলোকে
পুৰুষানুক্রমে নিজ নিজ কাপোৰৰ চুকত আৰিবলৈ সূতাৰ থোপা সাজক
আৰু নিজ নিজ কাপোৰৰ চুকত লগাব লগীয়া থোপাত নীল বৰণীয়া
ফিতা লগাওঁক। ৩৯ তোমালোকে যেন সেই থোপা দেখি, যিহোৱাৰ
আজ্ঞাবোৰ সোঁৱৰণ কৰি পালন কৰা আৰু নিজৰ যি মন আৰু চকুৰ
পাছত চলি তোমালোকে ব্যভিচাৰী হৈছিলা, সেই মন আৰু চকুৰ পাছত
যেন আৰু নচলা। ৪০ কিন্তু মোৰ সকলো আজ্ঞা সোঁৱৰি পালন কৰি,
নিজ ঈশ্বৰৰ উদ্দেশ্যে যেন পবিত্ৰ হোৱা, এই কাৰণে তোমালোকলৈ

সেই থোপা হ’ব। ৪১ তোমালোকৰ ঈশ্বৰ যিহোৱা হ’বৰ কাৰণে, যিজন
সৰ্বশক্তিমান ঈশ্বৰে তোমালোকক মিচৰ দেশৰ পৰা উলিয়াই আনিলে,
ময়েই তোমালোকৰ সেই ঈশ্বৰ যিহোৱা; মই তোমালোকৰ ঈশ্বৰ
যিহোৱা।”

**১৬** পাছত লেবীৰ পৰিনাতি, কহাতৰ নাতিয়েক, যিচহৰৰ পুতেক
কোৰহ আৰু ৰূবেণৰ সন্তান সকলৰ মাজৰ, ইলিয়াবৰ পুতেক দাথন
আৰু অবীৰাম আৰু পেলতৰ পুতেক ওনে, এওঁলোকে কিছুমান লোকক
গোটাই ল’লে। ২ ইস্ৰায়েলৰ সন্তান সকলৰ মাজৰ দুশ পঞ্চাশজন
মণ্ডলীৰ অধ্যক্ষ আৰু সমাজ ভূক্ত নাম জ্বলা লোকক লগত লৈ, মোচিৰ
বিৰুদ্ধে উঠিল। ৩ তেওঁলোকে মোচি আৰু হাৰোণৰ বিৰুদ্ধে গোট
খাই তেওঁলোকক ক’লে, “তোমালোকে তোমালোকৰ পদ বৰ বুলি
মানিছা। কিয়নো গোটেই সমাজৰ প্ৰতিজনেই পবিত্ৰ আৰু যিহোৱা
তেওঁলোকৰ মাজত আছে; তেন্তে তোমালোকে কিয় যিহোৱাৰ সমাজৰ
ওপৰত নিজকে ওখ কৰিছা?” ৪ যেতিয়া মোচিয়ে সেই কথা শুনিলে,
তেওঁ উবুৰি হৈ পৰিল। ৫ আৰু তেওঁ কোৰহক আৰু তেওঁৰ গোটেই
দলটোক ক’লে, “যিহোৱাৰ লোক কোন আৰু কোন পবিত্ৰ, যিহোৱাই
তাক ৰাতিপুৱাই জনাব আৰু তাক নিজৰ ওচৰ চপাব; তেওঁ যিজনক
মনোনীত কৰিব, তেওঁকেই নিজৰ ওচৰ চপাব। ৬ হে কোৰহ আৰু
তোমাৰ গোটেই দল, এই কাম কৰা; ধূপাধাৰ লোৱা ৭ তোমালোকে
আঙঠা-ধৰালৈ, তাত জুই দি কাইলৈ যিহোৱাৰ আগত তাৰ ওপৰত
ধূপ দিবা। তাতে যিহোৱাই তেওঁক মনোনীত কৰিব, সেইজনেই
পবিত্ৰ হ’ব। হে লেবীয়া সন্তান সকল, তোমালোকে নিজকে বৰ বুলি
মানিছা। ৮ পাছত মোচিয়ে কোৰহক ক’লে, হে লেবীৰ সন্তান সকল,
মোৰ কথা শুনা: ৯ ইস্ৰায়েলৰ ঈশ্বৰে যে তোমালোকক ইস্ৰায়েলৰ
সমাজৰ পৰা পৃথক কৰি, যিহোৱাৰ আবাসৰ সেৱাকৰ্ম কৰিবলৈ আৰু
মণ্ডলীৰ আগত থিয় হৈ তাৰ পৰিচৰ্যা কৰিবলৈ নিজৰ ওচৰ চপাই
ৰাখিছে, ই জানো তোমালোকৰ মানত সৰু কথা? ১০ তেওঁ তোমাক,
আৰু তোমাৰে সৈতে তোমাৰ ভাই লেবীৰ সন্তান সকলক নিজৰ ওচৰ
চপাই ৰাখিছে, তথাপি তোমালোকে পুৰোহিতৰ বাবলৈকো চেষ্টা

কৰিছা নে! ১১ সেইবাবে তুমি আৰু তোমাৰ গোটেই দলে যিহোৱাৰ
বিৰুদ্ধে গোট খাইছা। গতিকে কিয় তোমালোকে হাৰোণৰ বিৰুদ্ধে
আপত্তি কৰিছা, যিজনে যিহোৱাক মানি চলে?" ১২ তেতিয়া মোচিয়ে
ইলিয়াবৰ পুতেক দাথনক আৰু অবীৰামক মাতিবলৈ মানুহ পঠালে,
কিন্তু তেওঁলোকে ক'লে, আমি নাযাওঁ। ১৩ তুমি আমাক মৰুভূমিত
মাৰিবলৈ দুগ্ধমধু বোৱা দেশৰ পৰা আনিছা, এয়ে জানো সৰু কথা?
তুমি সদায় আমাৰ ওপৰত অধিকাৰ কৰি থাকিবানে? ১৪ কেৱল
এয়ে নহয়, তুমি আমাক দুগ্ধমধু বোৱা দেশলৈ নিয়া নাই আৰু শস্যৰ
খেতি ও দ্ৰাক্ষাবাৰীৰো অধিকাৰ দিয়া নাই। তুমি এই লোকসকলক
অন্ধ কৰিবা নে? আমি নাযাওঁ। ১৫ তাতে মোচিয়ে অতিশয় ক্ৰুদ্ধ হৈ
যিহোৱাক জনালে, বোলে, "এওঁলোকৰ উপহাৰ গ্ৰহণ নকৰিবা; মই
এওঁলোকৰ পৰা এটা গাধও লোৱা নাই, আৰু এওঁলোকৰ এজনকো
দুখ দিয়া নাই।" ১৬ পাছত মোচিয়ে কোৰহক ক'লে, "তুমি আৰু
তোমাৰ গোটেই দল কাইলৈ হাৰোণে সৈতে যিহোৱাৰ আগত উপস্থিত
হ'বা। ১৭ তোমালোকে প্ৰতিজনে আঙঠা-ধৰালৈ তাৰ ওপৰত ধূপ
দি, নিজ নিজ আঙঠা-ধৰা যিহোৱাৰ আগত লৈ আনিবা। দুশ পঞ্চাশ
আঙঠা-ধৰাই আগ কৰিবা; তুমি আৰু হাৰোণেও নিজ নিজ আঙঠা-ধৰা
ল'বা।" ১৮ পাছত তেওঁলোক প্ৰতিজনে নিজ নিজ আঙঠা-ধৰা লৈ,
তাৰ ওপৰত জুই ৰাখি, ধূপ দি, মোচি আৰু হাৰোণৰ লগত সাক্ষাৎ
কৰা তম্বুৰ দুৱাৰ মুখত থিয় হ'ল। ১৯ আৰু কোৰহে সাক্ষাৎ কৰা তম্বুৰ
দুৱাৰৰ ওচৰত তেওঁলোকৰ অহিতে গোটেই সমাজকে গোট খুৱালে;
তেতিয়া যিহোৱাৰ প্ৰতাপ গোটেই সমাজলৈ প্ৰকাশিত হ'ল। ২০ পাছত
যিহোৱাই মোচি আৰু হাৰোণক ক'লে, ২১ "তোমালোক এই সমাজৰ
মাজৰ পৰা বেলেগ হোৱা, মই এক নিমিষতে এওঁলোকক সংহাৰ
কৰোঁ।" ২২ তেতিয়া তেওঁলোকে উবুৰি হৈ পৰি ক'লে, "হে ঈশ্বৰ,
এজনে পাপ কৰাত তোমাৰ কুপ জানো গোটেই সমাজৰ ওপৰত হ'ব
লাগে?" ২৩ তেতিয়া যিহোৱাই মোচিক ক'লে। তেওঁ ক'লে, ২৪ "তুমি
সমাজক কোৱা, 'তোমালোক কোৰহ, দাথন আৰু অবীৰামৰ বসতিৰ
ঠাইৰ চাৰিওফালৰ পৰা গুচি যোৱা'।" ২৫ তেতিয়া মোচি উঠি দাথন

আৰু অবীৰামৰ ওচৰলৈ গ'ল; আৰু ইস্রায়েলৰ বৃদ্ধসকলে তেওঁৰ পাছে
পাছে গ'ল। ২৬ তেওঁ সমাজক ক'লে, "বিনয় কৰোঁ, তোমালোকে এই
দুষ্ট লোকসকলৰ তম্বুৰ ওচৰৰ পৰা আঁতৰি যোৱা, আৰু এওঁলোকৰ
একো বস্তু নুচুবা; নহ'লে এওঁলোকৰ পাপ সমূহত বিনষ্ট হ'বা।" ২৭
তেতিয়া তেওঁলোকে কোৰহ, দাথন আৰু অবীৰামৰ বসতিৰ ঠাইৰ
চাৰিওফালৰ পৰা আঁতৰি গ'ল, কিন্তু দাথন আৰু অবীৰাম ওলাই নিজ
নিজ ল'ৰা-তিৰোতাই সৈতে নিজ নিজ দুৱাৰমুখত থিয় হ'ল। ২৮
পাছত মোচিয়ে কলে, এই সকলো কাৰ্য কৰিবলৈ মোক যে, যিহোৱাই
পঠালে, তাক ইয়াৰ দ্বাৰাই জানিবলৈ পাবা। কিয়নো মই নিজ ইচ্ছাৰে
তাক কৰা নাই। ২৯ আন লোক সমূহ যি মৰণেৰে মৰে, এই মানুহ
যদি তেনে মৰণেৰে মৰে বা লোকসমূহলৈ যেনে আপদ ঘটে, এই
লোক সমূহৰ প্ৰতিও যদি তেনে আপদ ঘটে, তেন্তে যিহোৱাই মোক
পঠোৱা নাই। ৩০ কিন্তু যিহোৱাই যদি নতুন কাৰ্য কৰে, আৰু যদি
পৃথিৱীয়ে নিজ মুখ মেলি ইহঁতক, আৰু ইহঁতৰ সকলোকে গ্ৰাস কৰে,
আৰু ইহঁত জীয়াই জীয়াই চিয়োললৈ নামি যায়, তেন্তে এওঁলোকে
যে যিহোৱাক হেয়জ্ঞান কৰিলে, তাক তোমালোকে জানিবলৈ পাবা।
**(Sheol h7585)** ৩১ পাছত মোচিয়ে এইবোৰ কথা কৈ শেষ কৰা
মাত্ৰকে, তেওঁলোকৰ তলত থকা মাটি ফাটিল, ৩২ আৰু পৃথিৱীয়ে
নিজ মুখ মেলি তেওঁলোকক আৰু তেওঁলোকৰ পৰিয়ালবোৰক আৰু
কোৰহৰ আটাই লোকক আৰু তেওঁলোকৰ সৰ্ব্বস্ব গ্ৰাস কৰিলে। ৩৩
এইদৰে তেওঁলোক আৰু তেওঁলোকৰ লগৰ সকলোৱেই জীয়াই জীয়াই
চিয়োললৈ নামি গ'ল; আৰু পৃথিৱী তেওঁলোকৰ ওপৰত জাপ খাই
পৰিলত, তেওঁলোক সমাজৰ মাজৰ পৰা লুপ্ত হ'ল। **(Sheol h7585)**
৩৪ তেওঁলোকৰ চাৰিওফালে থকা গোটেই ইস্রায়েলে তেওঁলোকৰ
চিঞৰ শুনি পলাল। কিয়নো তেওঁলোকে আৰেগিক হৈ কৈছিল,
"পৃথিৱীয়ে কিজানি আমাকো গ্ৰাস কৰিব!" ৩৫ তেতিয়া যিহোৱাৰ
পৰা অগ্নি ওলাই ধূপ উৎসৰ্গ কৰা সেই দুশ পঞ্চাশ জনক গ্ৰাস
কৰিলে। ৩৬ আকৌ যিহোৱাই মোচিক ক'লে, ৩৭ "তুমি হাৰোণৰ
পুত্ৰ ইলিয়াজৰ পুৰোহিতক অগ্নিয়ে গ্ৰাস কৰা ঠাইৰ পৰা এই সকলো

আঙঠা ধৰা তুলি নিবলৈ আৰু তাৰ জুই দূৰৈত সিচঁৰিত কৰি পেলাই
দিবলৈ কোৱা; কিয়নো সেইবোৰ আঙঠা ধৰা পবিত্ৰ। ৩৮ নিজৰ
প্ৰাণৰ বিৰুদ্ধে পাপ কৰা সেই লোকসকলৰ আঙঠা ধৰাবোৰ পিতাই
যজ্ঞবেদী ঢাকিবৰ বাবে লোকসকলে পতা কৰক; কিয়নো তেওঁলোকে
সেইবোৰ যিহোৱাৰ আগত উৎসৰ্গ কৰিলে; এইহেতুকে সেইবোৰ
পবিত্ৰ; আৰু সেইবোৰ ইস্ৰায়েলৰ সন্তান সকললৈ চিন হ'ব। ৩৯
তাতে সেই গ্ৰাসিত লোকসকলে উৎসৰ্গ কৰা পিতলৰ আঙঠা ধৰাবোৰ
ইলিয়াজৰ পুৰোহিতে নিলে, ৪০ আৰু মোচিৰ দ্বাৰাই যিহোৱাই দিয়া
আজ্ঞা অনুসাৰে, ইস্ৰায়েলৰ সন্তান সকলৰ সোঁৱৰণৰ অৰ্থে, অৰ্থাৎ
হাৰোণৰ বংশৰ বাহিৰে আন বংশৰ কোনো মানুহ যেন যিহোৱাৰ
আগত ধূপ উৎসৰ্গ কৰিবৰ নিমিত্তে ওচৰ নাচাপে আৰু কোৰহৰ
ও তাৰ দলৰ দৰে নহয়, এই কাৰণে সেইবোৰ পিতাই যজ্ঞবেদীৰ
ঢাকনিৰ অৰ্থে পতা কৰা হ'ল। ৪১ তথাপি পাছদিনা ইস্ৰায়েলৰ সন্তান
সকলৰ গোটেই সমাজে মোচি আৰু হাৰোণৰ বিৰুদ্ধে বকি ক'লে,
"তোমালোকেই যিহোৱাৰ প্ৰজাসকলক বধ কৰিলা।" ৪২ তেতিয়া
মোচি আৰু হাৰোণৰ বিৰুদ্ধে গোট খালত, তেওঁলোকে সাক্ষাৎ কৰা
তম্বুলৈ মুখ ঘূৰাই দেখিলে, যে, মেঘে তাক ঢাকিছে আৰু যিহোৱাৰ
প্ৰতাপ প্ৰকাশিত হৈছে। ৪৩ তেতিয়া মোচি আৰু হাৰোণ সাক্ষাৎ কৰা
তম্বুৰ আগলৈ গ'ল। ৪৪ তেতিয়া যিহোৱাই মোচিক ক'লে। তেওঁ ক'লে,
৪৫ "তোমালোকে এই সমাজৰ মাজৰ পৰা আঁতৰি যোৱা, মই এক
নিমিষতে এওঁলোকক সংহাৰ কৰোঁ।" তেতিয়া তেওঁলোক উবুৰি হৈ
পৰিল। ৪৬ মোচিয়ে হাৰোণক ক'লে, "তোমাৰ আঙঠা ধৰা লোৱা আৰু
যজ্ঞবেদীৰ ওপৰৰ পৰা জুই লৈ তাত ধূপ দি, শীঘ্ৰে সমাজৰ গুৰিলৈ
লৈ যোৱা আৰু তেওঁলোকক প্ৰায়শ্চিত্ত কৰা; কিয়নো যিহোৱাৰ আগৰ
পৰা ক্ৰোধ বাহিৰ হোৱাত মহামাৰী আৰম্ভ হ'ল।" ৪৭ গতিকে হাৰোণে
মোচিৰ আজ্ঞা অনুসাৰে আঙঠা ধৰা লৈ, সমাজৰ মাজলৈ লৰি গ'ল।
তেতিয়া চোৱা, তেওঁলোকৰ মাজত মহামাৰী আৰম্ভ হৈছে, তেতিয়া
তেওঁ ধূপ দি লোকসকলক প্ৰায়শ্চিত্ত কৰিলে। ৪৮ আৰু মৰা ও জীয়া
লোকসকলৰ মাজত তেওঁ থিয় হোৱাত, মহামাৰী নিবাৰণ হ'ল। ৪৯

যিসকল লোক কোৰহৰ দোষত মৰিছিল, সেইসকলৰ বাহিৰে চৌদ্ধ
হাজাৰ সাত শ লোক এই মহামাৰীত মৰিল। ৫০ মহামাৰী নিবাৰণ
হোৱাৰ পাছত, হাৰোণ সাক্ষাৎ কৰা তম্বুৰ দুৱাৰ মুখলৈ মোচিৰ গুৰিলৈ
উলটি আহিল।

১৭ যিহোৱাই মোচিক ক'লে। তেওঁ ক'লে, ২ "তুমি ইস্রায়েলৰ
সন্তানসকলক কথা কোৱা। তেওঁলোকৰ পিতৃ-বংশৰ অধ্যক্ষসকলৰ
পৰা এক এক পিতৃ-বংশৰ কাৰণে এডালকৈ লাখুটি, এইদৰে বাৰডাল
লাখুটি লোৱা আৰু প্ৰত্যেকৰ লাখুটিত তেওঁৰ নাম লিখা। ৩ আৰু
লেবীৰ লাখুটিত হাৰোণৰ নাম লিখা। কিয়নো তেওঁলোকৰ প্ৰত্যেক
পিতৃ-বংশৰ মুখ্যলোকৰ বাবে এডালকৈ লাখুটি হ'ব। ৪ আৰু সাক্ষাৎ
কৰা তম্বুত যি ঠাইত মই তোমালোকেৰে সৈতে সাক্ষাৎ হওঁ, সেই
ঠাইতে সাক্ষ্য-ফলিৰ চন্দুকৰ আগত সেই সকলোকে থবা। ৫ পাছত
মোৰ মনোনীত লোকৰ লাখুটিত কলি ধৰিব। তাতে ইস্রায়েলৰ সন্তান
সকলে তোমালোকৰ বিৰুদ্ধে বকা বকনি মোৰ ওচৰৰ পৰা মই দূৰ
কৰিম।" ৬ পাছত মোচিয়ে ইস্রায়েলৰ সন্তানসকলক এই কথাবোৰ
ক'লে। তেওঁলোকৰ অধ্যক্ষসকলৰ প্ৰতিজনে নিজ নিজ পিতৃ-বংশৰ
বাবে এডালকৈ লাখুটি, এইদৰে বাৰডাল লাখুটি তেওঁক দিলে। আৰু
হাৰোণৰ লাখুটি তেওঁলোকৰ লাখুটিবোৰৰ মাজত আছিল। ৭ তাতে
মোচিয়ে সেই সকলো লাখুটি লৈ, সাক্ষ্য-ফলি থকা তম্বুত যিহোৱাৰ
আগত হ'ল। ৮ আৰু পাছদিনা মোচিয়ে সাক্ষ্য-ফলি থকা তম্বুত
সোমাই দেখিলে, যে, লেবী বংশৰ নিমিত্তে লোৱা হাৰোণৰ লাখুটিত
কুঁহি ওলাই কলি ধৰি ফুলিল, আৰু বাদামৰ পকা গুটি লাগিল। ৯
তেতিয়া মোচিয়ে যিহোৱাৰ সন্মূখৰ পৰা সেই সকলো লাখুটি উলিয়াই
ইস্রায়েলৰ সন্তানসকলৰ আগলৈ আনিলে, আৰু তেওঁবিলাক প্ৰতিজনে
চাই চাই নিজ নিজ লাখুটি ললে। ১০ পাছে যিহোৱাই মোচিক কলে,
এই বিদ্ৰোহ আচৰণ কৰা সন্তান সকলৰ বিৰুদ্ধে চিন থাকিবৰ কাৰণে
তুমি হাৰোণৰ লাখুটিডাল পুনৰায় সাক্ষ্য-ফলিৰ চন্দুকৰ আগত ৰাখা;
তাতে, তেওঁলোক নমৰিবৰ বাবে, মোৰ বিৰুদ্ধে হোৱা তেওঁলোকৰ
বকনি নাইকিয়া কৰিবা। ১১ তেতিয়া মোচিয়ে সেইদৰেই কৰিলে;

যিহোৱাই আজ্ঞা দিয়াৰ দৰেই তেওঁ কাৰ্য কৰিলে। ১২ পাছে ইস্ৰায়েলৰ
সন্তান সকলে মোচিক কলে, চাওঁক, আমি মৰিলোঁ, আমি বিনষ্ট হলোঁ,
আমি সকলোৱেই বিনষ্ট হলোঁ। ১৩ যি কোনো লোক ওচৰ চাপে, যি
কোনো লোক যিহোৱাৰ আবাসৰ ওচৰ চাপে, তেৱেঁই মৰা পৰে, আমি
সকলোৱেই মৰা পৰিম নেকি?

১৮ যিহোৱাই হাৰোণক ক'লে, "তুমি আৰু তোমাৰে সৈতে তোমাৰ
পিতৃ-বংশই পবিত্ৰ স্থানত হোৱা অপৰাধৰ ভাৰ ববা। আৰু তুমিও
তোমাৰে সৈতে তোমাৰ পুত্ৰসকলে পুৰোহিত পদত হোৱা অপৰাধৰ
ভাৰ ববা। ২ আৰু তোমাৰ ভাই লেবী ফৈদ, অৰ্থাৎ তোমাৰ পিতৃ ফৈদক
লগত আনিবা; তেওঁলোকে তোমাৰ লগ লৈ, তোমাৰ পৰিচৰ্যা কৰিব
লাগে, কিন্তু তুমি আৰু তোমাৰে সৈতে তোমাৰ পুত্ৰসকলে সাক্ষ্য-
ফলি থকা তম্বুৰ আগত থাকিবা। ৩ তেওঁলোকে তোমাৰ আৰু গোটেই
তম্বুৰ কৰিব লগীয়া কাৰ্য কৰিব। কিন্তু তেওঁলোক আৰু তোমালোক
নমৰিবৰ বাবে, তেওঁলোক পবিত্ৰ স্থানৰ বস্তুৰ আৰু যজ্ঞবেদীৰ ওচৰলৈ
নাযাব। ৪ তেওঁলোকে তোমাৰ লগ লৈ সাক্ষাৎ কৰা তম্বুৰ আটাই
দাস্যকৰ্মৰ সম্বন্ধে যি কৰিব লাগে, অৰ্থাৎ কৰিব লগীয়া তম্বুৰ সেই কাৰ্য
কৰিব আৰু আন বংশৰ কোনো মানুহ তোমালোকৰ ওচৰ নাচাপিব। ৫
ইস্ৰায়েলৰ সন্তান সকললৈ মোৰ যেন আৰু ক্ৰোধ নহয়, এই কাৰণে
তোমালোকে পবিত্ৰ স্থানৰ আৰু যজ্ঞবেদীৰ কৰিব লগীয়া কাৰ্য কৰিবা।
৬ আৰু চোৱা, মই ময়েই তোমালোকৰ ভাই লেবীয়াসকলক ইস্ৰায়েলৰ
সন্তান সকলৰ মাজৰ পৰা গ্ৰহণ কৰিলোঁ। সাক্ষাৎ কৰা তম্বুৰ সেৱাকৰ্ম
কৰিবৰ অৰ্থে, যিহোৱাৰ উদ্দেশ্যে তেওঁলোকক তোমালোকলৈ দান
দিয়া হ'ল। ৭ এই হেতুকে তুমি আৰু তোমাৰে সৈতে তোমাৰ
পুত্ৰসকলে যজ্ঞবেদী সম্বন্ধীয় সকলো বিষয়ত আৰু প্ৰভেদক বস্ত্ৰৰ
ভিতৰৰ সকলো বিষয়ত নিজ নিজ পুৰোহিত পদৰ কৰিবলগীয়া
কাৰ্য কৰিবা, তোমালোকে নিজেই সেৱাকৰ্ম সকলো কাম সমাধা
কৰিবা, মই দান স্বৰূপেই পুৰোহিত পদৰ কাৰ্য তোমালোকক দিলোঁ।
কিন্তু আন বংশৰ যি কোনো লোক ওচৰ চাপিলে, তেওঁৰ প্ৰাণদণ্ড
হ'ব।" ৮ পাছত যিহোৱাই হাৰোণক ক'লে, "চোৱা, মোৰ উত্তোলনীয়

নৈবেদ্য অৰ্থাৎ ইস্ৰায়েলৰ সন্তানসকলৰ সকলো পবিত্ৰীকৃত বস্তুৰ
মাজৰ পৰা অনা মোৰ উত্তোলনীয় নৈবেদ্যবোৰ পৰিচালনা কৰিবলৈ
দিলোঁ। মই তোমাক আৰু তোমাৰ পুত্ৰসকলক এক অংশ স্বৰূপে
সেই সকলোকে তোমালোকক দিলোঁ তোমালোকে সেইবোৰ পাবলৈ
চিৰস্থায়ী বিধি হ'ব। ৯ অগ্নিত নিদিয়াকৈ ৰখা অতি পবিত্ৰ বস্তুৰ
মাজৰ এই আটাইবোৰ তোমাৰ হ'ব। মোৰ উদ্দেশ্যে অনা তেওঁলোকৰ
প্ৰত্যেক ভক্ষ্য নৈবেদ্য, প্ৰত্যেক পাপাৰ্থক বলি আৰু প্ৰত্যেক দোষাৰ্থক
বলি, এই সকলো অতি পবিত্ৰ উপহাৰ তোমাৰ আৰু তোমাৰ পুত্ৰসকলৰ
বাবে হ'ব। ১০ সেইবোৰ মোৰ বাবে সংৰক্ষিত অতি পবিত্ৰ বস্তু,
তোমালোকে এইবোৰ নিশ্চয় খাবা। প্ৰতিজন পুৰুষে সেইবোৰ নিশ্চয়
খাব লাগিব। সেইবোৰ মোৰ বাবে সংৰক্ষিত তোমাৰ পক্ষে পবিত্ৰ হ'ব।
১১ আৰু এইবোৰ তোমাৰ হ'ব: অৰ্থাৎ ইস্ৰায়েলৰ সন্তান সকলে দান
দিয়া সকলো উত্তোলনীয় নৈবেদ্য আৰু তেওঁলোকৰ সকলো দোলনীয়
নৈবেদ্য; চিৰকালৰ অধিকাৰৰ অৰ্থে মই তোমাৰ আৰু তোমাৰে সৈতে
তোমাৰ পো-জীসকলক সেইবোৰ দিলোঁ; তোমাৰ বংশৰ সকলো শুচি
লোকে সেইবোৰ ভোজন কৰিব পাৰিব। ১২ তেওঁলোকে সকলো উত্তম
তেল, উত্তম দ্ৰাক্ষা ৰস আৰু শস্য আদিৰ যি যি আগভাগ যিহোৱাৰ
উদ্দেশ্যে দিব, সেইবোৰ মই তোমাক দিলোঁ। ১৩ তেওঁলোকৰ ভূমিত
উৎপন্ন হোৱা ফল আদিৰ প্ৰথমে পকা যি ভাগ তেওঁলোকে যিহোৱাৰ
উদ্দেশ্যে আনিব, সেয়ো তোমাৰেই হ'ব। তোমাৰ বংশৰ সকলো
শুচিলোকে তাক ভোজন কৰিব পাৰিব। ১৪ ইস্ৰায়েলৰ মাজত বৰ্জিত
কৰি দিয়া সকলো বস্তু তোমাৰেই হ'ব। ১৫ মানুহেই হওঁক বা পশুৱেই
হওঁক, সকলো প্ৰাণীৰ মাজত গৰ্ভভেদ কৰি প্ৰথমে ওলোৱা যিবোৰক
তেওঁলোকে যিহোৱাৰ অৰ্থে আগদান কৰিব, সেই সকলো তোমাৰেই
হ'ব। কিন্তু মানুহৰ প্ৰথমে জন্মাক তুমি অৱশ্যে মোকলাই দিবা, আৰু
অশুচি পশুৰ প্ৰথমে জন্মাকো তুমি মোকলাই দিবা। ১৬ সেইবোৰৰ
মাজৰ এমাহ বয়সৰে পৰা মোকলাই দিব লগা প্ৰতিজনক পবিত্ৰ
স্থানৰ চেকল অনুসাৰে, তুমি নিৰূপণ কৰাৰ দৰে পাঁচ চেকল ৰূপলৈ
মোকলাই দিবা; সেয়ে বিশ গেৰাই এক চেকল হয়। ১৭ কিন্তু গৰুৰ

বা মেৰ-ছাগৰ বা ছাগলীৰ প্ৰথমে জন্মাক তুমি মোকলাই নিদিবা।
সেইবোৰ পবিত্ৰ আৰু মোৰ উদ্দেশ্যে পৃথকে ৰখা হ'ল। তুমি যজ্ঞবেদীৰ
ওপৰত সেইবোৰৰ তেজ ছটিয়াবা আৰু যিহোৱাৰ উদ্দেশ্যে সুঘ্ৰাণৰ
অৰ্থে অগ্নিকৃত উপহাৰৰ কাৰণে সেইবোৰৰ তেল দগ্ধ কৰিবা। ১৮
সেইবোৰৰ মঙহ তোমাৰ হ'ব; দোলনীয় নৈবেদ্যৰ অৰ্থে দিয়া আমঠু
আৰু সোঁ পাছ পিৰাটো যেনেকৈ তোমাৰ হয়, তেনেকৈ সেইবোৰৰ
মঙহো তোমাৰ হ'ব। ১৯ ইস্ৰায়েলৰ সন্তান সকলে যিহোৱাৰ উদ্দেশ্যে
উৎসৰ্গ কৰা পবিত্ৰ বস্তুৰ মাজৰ আটাই উত্তোলনীয় নৈবেদ্য তোমাক
আৰু তোমাৰে সৈতে তোমাৰ পো-জীসকলক চিৰ কালৰ অধিকাৰৰ
অৰ্থে দিলোঁ; তোমাৰ আৰু তোমাৰ সৈতে তোমাৰ বংশৰ পক্ষে এয়ে
যিহোৱাৰ সাক্ষাতে লোণৰ চিৰস্থায়ী নিয়মৰ চিন হ'ব।" ২০ পাছত
যিহোৱাই হাৰোণক ক'লে, "ইস্ৰায়েলৰ সন্তান সকলৰ মাটিত তোমাৰ
কোনো অধিকাৰ নাথাকিব, আৰু তেওঁলোকৰ মাজত তুমি কোনো
ভাগ নাপাবা; ইস্ৰায়েলৰ সন্তানসকলৰ মাজত তোমাৰ ভাগ আৰু
উত্তৰাধিককাৰ ময়েই। ২১ আৰু চোৱা, লেবীৰ সন্তানসকলে কৰা
দাস্যকৰ্মৰ, সাক্ষাৎ কৰা তম্বুৰ কাৰ্যৰ বেচ স্বৰূপে মই তেওঁলোকৰ
উত্তৰাধিকাৰৰ অৰ্থে ইস্ৰায়েলৰ মাজৰ আটাই দশম ভাগ দিলোঁ। ২২
আৰু ইস্ৰায়েলৰ সন্তানসকলে পাপ বৈ যেন নমৰে এই কাৰণে এতিয়াৰ
পৰা তেওঁলোকে সাক্ষাৎ কৰা তম্বুৰ ওচৰ চাপিব নালাগে। ২৩ কিন্তু
লেবীয়াসকলেই সাক্ষাৎ কৰা তম্বুৰ সেৱাকৰ্ম কৰিব, আৰু তেওঁলোকে
সেই বিষয়ে কোনো পাপৰ ভাৰ ব'ব; এয়ে তোমালোকৰ পুৰুষানুক্ৰমে
পালন কৰিবলগীয়া চিৰস্থায়ী বিধি; আৰু ইস্ৰায়েলৰ সন্তানসকলৰ
মাজত তেওঁলোকে কোনো অধিকাৰ নাপাব। ২৪ কিয়নো ইস্ৰায়েলৰ
সন্তানসকলে যিহোৱাৰ উদ্দেশ্যে উত্তোলনীয় উপহাৰ স্বৰূপে যি দশম
ভাগ উৎসৰ্গ কৰিব, তাকে মই লেবীয়াসকলৰ উত্তৰাধীকাৰ স্বৰূপে
দিলোঁ; এই কাৰণে মই তেওঁলোকক ক'লোঁ, 'ইস্ৰায়েলৰ সন্তানসকলৰ
মাজত তেওঁলোকে কোনো অধিকাৰ নাপাব'।" ২৫ পাছত যিহোৱাই
মোচিক কলে, ২৬ "তুমি লেবীয়াসকলক এই আজ্ঞা দি কোৱা,
'তোমালোকক উত্তৰাধিকাৰৰ অৰ্থে ইস্ৰায়েলৰ সন্তানসকলৰ পৰা যি

দশম ভাগ যিহোৱাই দিলে, তাক যেতিয়া তোমালোকে ইস্রায়েলৰ
সন্তানসকলৰ পৰা গ্রহণ কৰিবা, তেতিয়া তোমালোকে যিহোৱাৰ
উদ্দেশ্যে উত্তোলনীয় উপহাৰ স্বৰূপে সেই দশম ভাগৰো দশম ভাগ
উৎসর্গ কৰিবা। ২৭ তোমালোকে সেই উপহাৰ মৰণা মৰা ঠাইৰ শস্য
আৰু কুণ্ড পূৰ কৰা দ্রাক্ষাৰস যেন বুলি তোমালোকৰ পক্ষে গণিত
হ'ব। ২৮ তোমালোকে ইস্রায়েলৰ সন্তান সকলৰ পৰা যি দশম ভাগ
গ্রহণ কৰিবা, তাৰ পৰা তোমালোকেও এইদৰে যিহোৱাৰ উদ্দেশ্যে
উত্তোলনীয় উপহাৰ উৎসর্গ কৰিবা; তাৰ পৰা যিহোৱাৰ উদ্দেশ্যে দিয়া
সেই উত্তোলনীয় উপহাৰ তোমালোকে হাৰোণ পুৰোহিতক দিবা। ২৯
যিহোৱাই পাব লগা এই সকলো উত্তোলনীয় উপহাৰ তোমালোকে
লোৱা দানৰ পৰাই উৎসর্গ কৰিবা, অর্থাৎ তাৰ সকলো উত্তম ভাগৰ পৰা
পবিত্রীকৃত ভাগ উৎসর্গ কৰিবা'। ৩০ এই হেতুকে তুমি তেওঁলোকক
কোৱা, 'তোমালোকে যেতিয়া তাৰ পৰা উত্তম ভাগ উত্তোলনীয় উপহাৰ
স্বৰূপে উৎসর্গ কৰিবা, তেতিয়া সেয়ে লেবীয়াসকলৰ পক্ষে মৰণা মৰা
ঠাইত মৰা শস্য আৰু কুণ্ডৰ পৰা উলিওৱা দ্রাক্ষাৰস যেন গণিত হ'ব।
৩১ তোমালোকে আৰু তোমালোকৰ পৰিয়ালসকলে যি কোনো ঠাইত
তাক ভোজন কৰিব পাৰিবা, কিয়নো সেয়ে সাক্ষাৎ কৰা তম্বুত কৰা
তোমালোকৰ কার্যৰ কাৰণে তোমালোকৰ বেচ স্বৰূপ হ'ব। ৩২ আৰু
তাৰ পৰা তাৰ উত্তম ভাগ উত্তোলনীয় উপহাৰস্বৰূপে উৎসর্গ কৰিলে,
তাৰ কাৰণে পাপৰ ভাৰ নববা, আৰু নিজৰ মৃত্যু নহবলৈ সেই বিষয়ে
ইস্রায়েলৰ সন্তান সকলৰ পবিত্র বস্তু অপবিত্র নকৰিবা'।"

**১৯** পাছত যিহোৱাই মোচি আৰু হাৰোণক ক'লে, ২ "যিহোৱাই
আজ্ঞা দিয়া ব্যৱস্থাৰ বিধি এই: ইস্রায়েলৰ সন্তান সকলক, নিখুঁত,
নির্ঘূণী আৰু যুৱলি নোলোৱা ৰাঙলী চেঁউৰি গৰু এজনী তোমাৰ গুৰিলৈ
আনিবলৈ আজ্ঞা দিয়া। ৩ পাছত তোমালোকে তাইক ইলিয়াজৰ
পুৰোহিতক দিবা; আৰু তেওঁ তাইক ছাউনিৰ বাহিৰলৈ নিব, আৰু
তেওঁৰ সাক্ষাতে কোনো এজন লোকে তাইক বধ কৰিব। ৪ তেতিয়া
ইলিয়াজৰ পুৰোহিতে নিজ আঙুলিৰে তাৰ কিছু তেজ লৈ, সাক্ষাৎ কৰা
তম্বুৰ আগলৈ সাত বাৰ ছটিয়াব; ৫ তেওঁৰ সাক্ষাতে সেই গৰুজনীক

আন এজন পুৰোহিতে দগ্ধ কৰিব; তাইৰ গোবৰে সৈতে তাইৰ ছাল,
মঙহ, তেজ দগ্ধ কৰিব। ৬ সেই পুৰোহিতে এডোখৰ এৰচ কাঠ,
একোচা এচোব বন আৰু অলপ ৰঙা নোম লৈ, গৰুজনীক পোৰা জুইৰ
মাজত পেলাই দিব। ৭ তাৰ পাছত পুৰোহিতজনে নিজ কাপোৰ আৰু
গা ধুব। তাৰ পাছত তেওঁ ছাউনিত সোমাব পাৰিব; কিন্তু পুৰোহিতজনে
সন্ধ্যালৈকে অশুচি হৈ থাকিব। ৮ আৰু যিজনে গৰুজনীক পুৰিব, তেওঁ
পানীত নিজ কাপোৰ আৰু গা ধুব আৰু সন্ধ্যালৈকে অশুচি হৈ থাকিব।
৯ পাছত কোনো এজন শুচি লোকে সেই গৰুজনীৰ ছাঁই গোটাই,
ছাউনিৰ বাহিৰত কোনো পৰিস্কাৰ ঠাইত ৰাখিব। তাক ইস্রায়েলৰ
সন্তান সকলৰ মণ্ডলীৰ কাৰণে অশুচিতা নাশক জলৰ কাৰণে ৰখা যাব
কিয়নো সেই বলি পাপাৰ্থক বলি স্বৰুপে দান কৰা হৈছিল। ১০ আৰু যি
জন লোকে গৰুজনীৰ ছাঁই গোটাব, তেৰোঁ নিজৰ কাপোৰ ধুব, আৰু
সন্ধ্যালৈকে অশুচি হৈ থাকিব। এয়ে ইস্রায়েলৰ সন্তান সকলৰ আৰু
তেওঁলোকৰ মাজত প্ৰবাস কৰা বিদেশীসকলৰো পালন কৰিবলগা
চিৰস্থায়ী বিধি। ১১ যি কোনো লোকে যেতিয়া মৰা মানুহৰ শৱ চুব,
তেওঁ সাত দিন অশুচি হৈ থাকিব। ১২ তেওঁ তৃতীয় দিনা আৰু সপ্তমদিনা
নিজকে শুচি কৰিব, তাৰ পাছত শুচি হ'ব। কিন্তু তেওঁ যদি তৃতীয় দিনা
আৰু সপ্তম দিনা নিজকে শুচি নকৰে, তেন্তে তেওঁ শুচি নহ'ব। ১৩ যি
কোনোৱে মৰা মানুহৰ শৱ চুই নিজকে শুচি নকৰিব, তেওঁ যিহোৱাৰ
আবাস অশুচি কৰিব; সেই লোকজনক ইস্রায়েলৰ মাজৰ পৰা উচ্ছন্ন
কৰা হ'ব, কিয়নো তেওঁৰ ওপৰত অশুচিতা নাশক জল নছটিওৱাত
তেওঁ অশুচি হ'ল আৰু তেওঁৰ অশুচিতা তেওঁৰ লগতে থাকিব। ১৪
যেতিয়া কোনো এজন লোকৰ তম্বুৰ ভিতৰত মৃত্যু হ'ব তেতিয়া এনে
নিয়ম হ'ব- সেই তম্বুৰ ভিতৰত সোমোৱা সকলো লোক আৰু তম্বুৰ
ভিতৰত থকা সকলো মানুহ সাত দিন অশুচি হৈ থাকিব। ১৫ আৰু
ৰছীৰে বন্ধা ঢাকনি নথকা সকলো মুকলি পাত্ৰ অশুচি হ'ব। ১৬ আৰু যি
কোনো লোকে মুকলি ঠাইত তৰোৱালত হত হোৱা বা এনেই মৰা
লোকৰ শৱ, নাইবা নৰা মানুহৰ হাড়, বা মৈদাম চুব- তেওঁ সাত দিন
অশুচি হৈ থাকিব। ১৭ আৰু সেই অশুচি মানুহৰ কাৰণে পাপাৰ্থক বলিৰ

সেই পোৰা ছাঁইৰ কিছু পাত্ৰত ৰাখি, তাৰ ওপৰত ভুমুকৰ পানী দিয়া
যাব। ১৮ আৰু কোনো শুচি লোক এজনে একোচা এচোব বন লৈ, সেই
পানীত জুবুৰীয়াই, সেই তম্বুৰ ওপৰত, আৰু তাত থকা সকলো বস্তুৰ
আৰু আটাই প্ৰাণীৰ ওপৰত আৰু হাড়, বা হত হোৱা বা এনেই মৰা
লোকৰ শৰ, নাইবা মাদাম স্পৰ্শ কৰা সেই মানুহজনৰ ওপৰতো তাক
ছটিয়াব। ১৯ সেই শুচি লোকজনে তৃতীয় দিনা আৰু সপ্তম দিনা সেই
অশুচি লোকজনৰ ওপৰত সেই জল ছটিয়াব। পাছত সপ্তম দিনা সেই
অশুচি লোকজনে নিজকে শুচি কৰিব; তেওঁ নিজৰ কাপোৰ ধুব আৰু
পানীত গা ধুব। পাছত সন্ধিয়া সময়ত তেওঁ শুচি হ'ব। ২০ কিন্তু যি জন
লোকে অশুচি হৈয়ো নিজকে শুচি নকৰিব, সেই লোকজনক সমাজৰ
পৰা উচ্ছন্ন কৰা হ'ব, কিয়নো তেওঁ যিহোৱাৰ পবিত্ৰ স্থান অশুচি
কৰিলে; তেওঁৰ ওপৰত অশুচিতা-নাশক জল ছটিওৱা নহ'ল; আৰু
তেওঁ অশুচি হৈ থাকিল। ২১ এয়ে তেওঁলোকে পালন কৰিব লগীয়া
চিৰস্থায়ী বিধি হ'ব। আৰু যি জনে অশুচিতা-নাশক জল ছটিয়াব, তেওঁ
নিজৰ কাপোৰ ধুব; আৰু যি জনে সেই অশুচিতা-নাশক জল চুব তেৰোঁ
সন্ধ্যালৈকে অশুচি হৈ থাকিব। ২২ আৰু সেই অশুচি লোকে যি কিছু
চুব, সেয়ে অশুচি হ'ব; আৰু যি লোকে তাক চুব, তেৰোঁ সন্ধ্যালৈকে
অশুচি হৈ থাকিব।"

২০ পাছত ইস্ৰায়েলৰ সন্তান সকলৰ গোটেই মণ্ডলীয়ে প্ৰথম মাহত
ছিন অৰণ্য পালে। তেওঁলোকে কাদেচত থাকিল, সেই ঠাইতে মিৰিয়মৰ
মৃত্যু হ'ল আৰু তাতে তেওঁক মৈদাম দিয়া হ'ল। ২ সেই ঠাইত মণ্ডলীৰ
কাৰণে পানী নথকাত, লোকসকলে মোচি আৰু হাৰোণৰ অহিতে গোট
খালে। ৩ তেওঁলোকে মোচিৰে সৈতে বিবাদ কৰি ক'লে, "যিহোৱাৰ
আগত আমাৰ ভাইসকলৰ মৃত্যু হোৱাৰ সময়ত আমাৰো মৃত্যু হোৱা
হেতেন কেনে ভাল আছিল! ৪ আমি আৰু আমাৰ পশুবোৰ মৰিবৰ
কাৰণে যিহোৱাৰ সমাজক কেলেই তোমালোকে এই মৰুভূমিলৈ
আনিলা? ৫ এই কুচ্ছিত ঠাইলৈ আনিবৰ বাবে আমাক কেলেই মিচৰৰ
পৰা উলিয়াই আনিলা? এয়ে শস্য বা ডিমৰু, বা দ্ৰাক্ষা, বা ডালিমৰ
ঠাই নহয় আৰু খাবলৈকো পানী নাই।" ৬ পাছত মোচি আৰু হাৰোণে

সমাজৰ আগৰ পৰা সাক্ষাৎ কৰা তম্বুৰ দুৱাৰ মুখলৈ গৈ উবুৰি হৈ
পৰিল। তাতে যিহোৱাৰ প্ৰতাপ তেওঁলোকৰ আগত প্ৰকাশিত হ'ল। ৭
আৰু যিহোৱাই মোচিক ক'লে, ৮ "তুমি লাখুটিডাল লোৱা, আৰু তুমি
আৰু তোমাৰ ককায় হাৰোণে সমাজক গোটাই লোৱা। শিলটোৱে পানী
উলিয়াই বৈ যাবৰ বাবে, তোমালোকে তেওঁলোকৰ চকুৰ আগতেই
শিলটোক আজ্ঞা কৰা। এইদৰে তুমি তেওঁলোকৰ বাবে শিলটোৰ
পৰা পানী উলিয়াই সমাজক আৰু তেওঁলোকৰ পশুবোৰকো খুৱাবা।"
৯ তেতিয়া মোচিয়ে যিহোৱাৰ আজ্ঞা অনুসাৰে তেওঁৰ আগত পৰা
লাখুটি ল'লে। ১০ তাৰ পাছত মোচি ও হাৰোণে শিলটোৰ আগত
সমাজক গোটাই ল'লে, তেওঁ তেওঁলোকক ক'লে, "হে বিদ্ৰোহীহঁত,
শুন তহঁতৰ কাৰণে আমি এই শিলৰ পৰা পানী উলিয়াম নে?" ১১
এই বুলি মোচিয়ে হাত দাঙি, সেই লাখুটিৰে শিলটোত দুবাৰ কোব
মাৰিলে; তেতিয়া অধিক পানী ওলাল আৰু সমাজে আৰু তেওঁলোকৰ
পশুবোৰেও পানী খালে। ১২ তেতিয়া যিহোৱাই মোচি আৰু হাৰোণক
ক'লে, "তোমালোকে ইস্ৰায়েলৰ সন্তান সকলৰ আগত মোক পবিত্ৰ
কৰিবলৈ মোত দৃঢ়ৰূপে বিশ্বাস নকৰিলা; এই হেতুকে মই এই সমাজক
দিয়া দেশত তোমালোকে তেওঁলোকক নুসুমুৱাবা। ১৩ সেই ঠাইৰ নাম
মিৰীবা [বিবাদ] ৰাখিলে; কিয়নো ইস্ৰায়েলৰ সন্তান সকলে যিহোৱাৰে
সৈতে বিবাদ কৰিলে; আৰু তেওঁ তেওঁলোকৰ মাজত পবিত্ৰ হ'ল।
১৪ পাছত মোচিয়ে কাদেচৰ পৰা ইদোমৰ ৰজাৰ গুৰিলৈ দূত পঠাই
ক'লে, তোমাৰ ভায়েৰা ইস্ৰায়েলৰ এই কথা কৈছে: "আমালৈ যি
সকলো দুখ ঘটিল, তাক তুমি জানি আছা। ১৫ আমাৰ পূৰ্বপুৰুষসকল
মিচৰলৈ নামি গৈছিল, সেই মিচৰতে আমি অনেক দিন বাস কৰি
আছিলোঁ। আৰু মিচৰীসকলে আমালৈ আৰু আমাৰ পূৰ্বপুৰুষসকললৈ
কু-ব্যৱহাৰ কৰিলে। ১৬ তেতিয়া আমি যিহোৱাৰ আগত কাতৰোক্তি
কৰোঁতে, তেওঁ আমাৰ বাক্যলৈ কাণ দিলে, তেওঁ দূত পঠাই মিচৰৰ
পৰা আমাক উলিয়াই আনিলে। আৰু এতিয়া চোৱা, আমি তোমাৰ
দেশৰ সীমাত থকা কাদেচ নগৰত আছোঁ। ১৭ বিনয় কৰোঁ, তোমাৰ
দেশৰ মাজেদি আমাক যাবলৈ দিয়া। আমি শস্য ক্ষেত্ৰ বা দ্ৰাক্ষা-

ক্ষেত্ৰেদি নাযাওঁ আৰু নাদৰ পানীও পান নকৰোঁ, কেৱল ৰাজবাটেদি
যাম। তেতিয়ালৈকে তোমাৰ দেশৰ সীমা পাৰ নহোৱালৈকে, সোঁহাতে
কি বাওঁহাতে নুঘূৰিম।" ১৮ তাতে ইদোমৰ ৰজাই তেওঁক উত্তৰ দি
ক'লে, "তুমি মোৰ দেশৰ মাজেদি যাব নোৱাৰা; গ'লে মই তৰোৱাল লৈ
তোমাৰ বিৰুদ্ধে ওলাম।" ১৯ তেতিয়া ইস্ৰায়েলৰ সন্তানসকলে তেওঁক
ক'লে, "আমি কেৱল ৰাজবাটেদি যাম, যদি মই আৰু মাৰ পশুবোৰে
তোমাৰ পানী খায়, তেন্তে মই তাৰ মূল্য দিম; মোক আন একোকে
নালাগে, কেৱল মোক খোজকাঢ়ি যাব দিয়া।" ২০ কিন্তু তেওঁ উত্তৰ
দি ক'লে, "তুমি ইয়াৰ মাজেৰে যাবলৈ নোৱৰিবা।" পাছত ইদোমৰ
ৰজাই অনেক সৈন্যক লগত লৈ বাহুবল দেখুৱাই তেওঁৰ বিৰুদ্ধে
ওলাল। ২১ এইদৰে ইদোমৰ ৰজাই ইস্ৰায়েলক নিজ অঞ্চলৰ মাজেদি
যাবলৈ অনুমতি দিবলৈ অমান্তি হ'ল। সেইবাবেই ইস্ৰায়েল তেওঁৰ পৰা
ঘূৰি আন বাটেদি গ'ল। ২২ তাৰ পাছত ইস্ৰায়েলৰ সন্তান সকলৰ
গোটেই সমাজে কাদেচৰ পৰা যাত্ৰা কৰি হোৰ পৰ্ব্বত পালেগৈ। ২৩
তেতিয়া ইদোম দেশৰ সীমাৰ ওপৰত থকা হোৰ পৰ্ব্বতত যিহোৱাই
মোচি আৰু হাৰোণক কথা ক'লে, ২৪ "হাৰোণক নিজ লোকসকলৰ
লগলৈ নিয়া হ'ব; কিয়নো মই ইস্ৰায়েলৰ সন্তান সকলক দিয়া দেশত
তেওঁ সোমাব নোৱাৰিব। কাৰণ মিৰীবা জলৰ ওচৰত তোমালোক
দুয়োই মোৰ বাক্যৰ বিৰুদ্ধে আচৰণ কৰিলা। ২৫ তুমি হাৰোণক আৰু
তেওঁৰ পুত্ৰ ইলিয়াজৰক হোৰ পৰ্ব্বতলৈ লৈ যোৱা। ২৬ আৰু হাৰোণৰ
বস্ত্ৰ সোলোকাই তেওঁৰ পুত্ৰ ইলিয়াজৰক পিন্ধোৱা। হাৰোণক নিজ
লোকসকলৰ লগত নিয়া হ'ব, আৰু তেওঁ সেই ঠাইতে মৰিব।" ২৭
তেতিয়া মোচিয়ে যিহোৱাৰ আজ্ঞা অনুসাৰে কৰিলে। তেওঁলোকে
গোটেই সমাজৰ আগতে হোৰ পৰ্ব্বতলৈ উঠি গ'ল। ২৮ আৰু মোচিয়ে
হাৰোণৰ বস্ত্ৰ সোলোকাই তেওঁৰ পুত্ৰ ইলিয়াজৰক পিন্ধালে। আৰু
হাৰোণ সেই পৰ্ব্বতৰ টিঙত থকা ঠাইতে মৰিল। পাছে মোচি আৰু
ইলিয়াজৰ পৰ্ব্বতৰ পৰা নামি আহিল। ২৯ যেতিয়া গোটেই সমাজে
হাৰোণৰ মৃত্যু হোৱা দেখিলে, তেতিয়া ইস্ৰায়েলৰ গোটেই বংশই
হাৰোণৰ কাৰণে ত্ৰিশ দিনলৈকে ক্ৰন্দন কৰিলে।

২১ পাছত দক্ষিণ অঞ্চলত থকা অৰাদৰ কনানীয়া ৰজাই অথাৰীমৰ
বাটেদি ইস্ৰায়েল আহিছে বুলি শুনি, তেওঁলোকৰ বিৰুদ্ধে যুদ্ধ কৰি
তেওঁলোকৰে কিছুমান লোকক বন্দী কৰি নি ৰাখিলে। ২ তেতিয়া
ইস্ৰায়েলে যিহোৱাৰ আগত প্ৰতিজ্ঞা কৰি ক'লে, "আপুনি যদি এই
লোকসকলক আমাৰ হাতত সমৰ্পণ কৰে, তেন্তে আমি তেওঁলোকৰ
নগৰবোৰ নিঃশেষে বিনষ্ট কৰিম।" ৩ তেতিয়া যিহোৱাই ইস্ৰায়েলৰ
বাক্যলৈ কাণ দিলে, সেই কনানীয়াসকলক সমৰ্পণ কৰিলে। তেতিয়া
লোকসকলে তেওঁলোকক আৰু তেওঁলোকৰ নগৰবোৰ নিঃশেষে বিনষ্ট
কৰিলে। সেই ঠাইৰ নাম হৰ্মা ৰখা হ'ল। ৪ পাছত তেওঁলোকে ইদোম
দেশ ঘূৰিবৰ অৰ্থে, চূফ সাগৰৰ বাটেদি হোৰ পৰ্ব্বতৰ পৰা যাত্ৰা
কৰিলে। আৰু বাটৰ কাৰণে লোকসকলৰ মন অতিশয় অধৈৰ্য হ'ল। ৫
আৰু লোকসকলে ঈশ্বৰ ও মোচিৰ বিৰুদ্ধে ক'বলৈ ধৰিলে: বোলে,
"মৰুভূমিত মৰিবলৈ তোমালোকে মিচৰৰ পৰা আমাক কেলেই উলিয়াই
আনিলা?" কিয়নো আহাৰো নাই পানীও নাই আৰু আমাৰ মনে এই
সামান্য আহাৰ ঘিণ কৰিছে। ৬ তেতিয়া যিহোৱাই লোকসকলৰ মাজলৈ
বিষাক্ত সাপ পঠিয়ালে আৰু সেইবোৰে দংশিবলৈ ধৰাত ইস্ৰায়েলৰ
মাজত অনেক লোক মৰিল। ৭ লোকসকলে মোচিৰ গুৰিলৈ আহি ক'লে,
"আমি গুপ্ত পাপ কৰিলোঁ, কাৰণ আমি যিহোৱা আৰু তোমাৰ বিৰুদ্ধে
কথা কলোঁ। আমাৰ ওচৰৰ পৰা যিহোৱাই সাপবোৰ দূৰ কৰিবৰ বাবে,
তুমি তেওঁৰ আগত প্ৰাৰ্থনা কৰা।" তেতিয়া মোচিয়ে লোকসকলৰ
বাবে প্ৰাৰ্থনা কৰিলে। ৮ যিহোৱাই মোচিক ক'লে, "তুমি এটা বিষাক্ত
সাপ সাজি এডাল খুটিৰ ওপৰত নিচানস্বৰূপে তুলি ৰাখিবা। তেতিয়া
সাপে দংশা যিকোনো লোকে যদি তালৈ চায়, সেইজন জীৱ।" ৯
তেতিয়া মোচিয়ে পিতলৰ এটা সাপ বনাই নিচানস্বৰূপে এডাল খুটিত
তুলি ৰাখিলে। যেতিয়া সাপে কোনো মানুহক দংশিলে, তেতিয়া তেওঁ
সেই পিতলৰ সাপলৈ দৃষ্টি কৰি জীলে। ১০ তেতিয়া ইস্ৰায়েলৰ সন্তান
সকলে যাত্ৰা কৰি এবোতত ছাউনি পাতিলে। ১১ আৰু এবোতৰ পৰা
যাত্ৰা কৰি সূৰ্য ওলোৱা দিশে মোৱাবৰ সন্মুখে থকা মৰুভূমিৰ ইয়ে-
অবাৰীমত ছাউনি পাতিলে। ১২ তাৰ পৰা যাত্ৰা কৰি জেৰদ উপত্যকাত

ছাউনি পাতিলে। ১৩ আৰু তাৰ পৰা যাত্ৰা কৰি ইমোৰীয়াসকলৰ
সীমাৰ পৰা ওলোৱা, মৰুভূমিত থকা অৰ্ণোনৰ অন্য পাৰে ছাউনি
পাতিলে, কিয়নো মোৱাবৰ আৰু ইমোৰীয়াসকলৰ মাজত থকা অৰ্ণোন
মোৱাবৰ সীমা আছিল। ১৪ এই হেতুকে যিহোৱাৰ যুদ্ধ-পুস্তকত
কোৱা হৈছে, বোলে, "চুফাত বাহেবক, অৰ্ণোনৰ উপত্যকাবোৰক, ১৫
আৰু আৰ নামেৰে লোকালয়লৈ মুখ কৰা আৰু মোৱাবৰ সীমাত লগা
চাৰলীয়া উপত্যকাবোৰ তেওঁ জয় কৰিলে। ১৬ তাৰ পৰা তেওঁলোকে
বেৰলৈ, অৰ্থাৎ যি নাদৰ বিষয়ে যিহোৱাই মোচিক কৈছিল, তুমি
লোকসকলক গোটোৱা, মই তেওঁলোকক পানী দিম। সেই নাদলৈ
যাত্ৰা কৰিলে।" ১৭ সেই কালত ইস্ৰায়েলে এই গীত গান কৰিলে:
"হে নাদ উঠলি উঠা; তোমালোকে ইয়াৰ উদ্দেশ্যে গান গোৱা। ১৮
এয়ে অধ্যক্ষ সকলে খনা নাদ, লোকসকলৰ প্ৰধানসকলে ৰাজ-দণ্ডেৰে
আৰু নিজ নিজ লাখুটিৰে ইয়াক খনন কৰিলে।" পাছত তেওঁলোকে
অৰণ্যৰ পৰা মত্তানালৈ। ১৯ মত্তানাৰ পৰা নহলীয়েললৈ, নহলীয়েলৰ
পৰা বামোতলৈ, ২০ আৰু বামোতৰ পৰা উপত্যকাইদি মোৱাবৰ
দেশলৈ। সেয়ে যিচীমোনৰ ফাললৈ মুখ কৰি থকা পিচগা পৰ্ব্বতৰ
টিঙলৈ গ'ল। ২১ পাছত ইস্ৰায়েলে ইমোৰীয়াসকলৰ ৰজা চীহোনৰ
গুৰিলৈ দূতৰ দ্বাৰাই এই কথা কৈ পঠিয়ালে বোলে, ২২ "তুমি নিজ
দেশৰ মাজেদি মোক যাবলৈ দিয়া; আমি শস্যক্ষেত্ৰত বা দ্ৰাক্ষা-ক্ষেত্ৰত
নোসোমাও আৰু নাদৰ পানীও নাখাওঁ। তোমাৰ সীমা পাৰ নহওঁমানে
ৰাজবাটে গৈ থাকিম।" ২৩ তথাপি চীহোনৰ ৰজাই নিজ অঞ্চলৰ
মাজেদি ইস্ৰায়েলক যাবলৈ নিদিলে। কিন্তু চীহোনে নিজৰ সকলো
প্ৰজাক গোটাই ইস্ৰায়েলৰ বিৰুদ্ধে মৰুভূমিলৈ ওলাল আৰু যহচলৈ
গৈ ইস্ৰায়েলে সৈতে যুদ্ধ কৰিলে। ২৪ ইস্ৰায়েলে তৰোৱালৰ ধাৰত
তেওঁক আঘাত কৰি, অৰ্ণোনৰ পৰা যব্বোকলৈকে অম্মোনৰ সন্তান
সকলৰ সীমালৈকে তেওঁৰ দেশ অধিকাৰ কৰিলে; কাৰণ অম্মোনৰ
সন্তান সকলৰ সীমা গড়েৰে দৃঢ় আছিল। ২৫ এইদৰে ইস্ৰায়েলে সেই
সকলো নগৰ হাত কৰি ললে; আৰু ইস্ৰায়েলে ইমোৰীয়াসকলৰ আটাই
নগৰত, হিচবোনত আৰু তাৰ সকলো উপত্যকাবোৰত বাস কৰিবলৈ

ধৰিলে। ২৬ কিয়নো হিচবোন ইমোৰীয়াহঁতৰ ৰজা চীহোনৰ নগৰ
আছিল; সেই চীহোনে মোৱাবৰ আগৰ ৰজাৰ অহিতে যুদ্ধ কৰি তেওঁৰ
হাতৰ পৰা অৰ্ণোনলৈকে তেওঁৰ আটাই দেশ লৈছিল। ২৭ এই কাৰণে
কবি সকলে কয়, "তোমালোক হিচবোনলৈ আহা, চীহোনৰ নগৰ সজা
আৰু দৃঢ় কৰা হওঁক। ২৮ কিয়নো হিচবোনৰ পৰা অগ্নি-শিখা ওলাই,
চীহোনৰ পৰা শিখাই, মোৱাবৰ আৰ লগৰ গ্ৰাস কৰিলে, আৰু অৰ্ণোনৰ
ওখ ঠাইবোৰৰ প্ৰভুসকলক গ্ৰাস কৰিলে। ২৯ হে মোৱাব!, তোমাৰ
সন্তাপ হ'ল, আৰু হে কমোচৰ প্ৰজা, তুমি বিনষ্ট থ'লো; সি নিজৰ
পুতেকসকলক পলাবলৈ, আৰু নিজৰ জীয়েকসকলক বন্দী অৱস্থাত
পৰিবলৈ এৰি দিলে, ইমোৰীয়াসকলক ৰজা চীহোনৰ হাতত সমৰ্পণ
কৰিলে। ৩০ আৰু আমি তেওঁলোকলৈ বাণ মাৰিলোঁ; দীবোনলৈকে
হিচবোন বিনষ্ট হ'ল। মেদবালৈ বিস্তৃত নোফহলৈকে আমি সকলোকে
ধ্বংস কৰিলোঁ।" ৩১ এইদৰে ইস্ৰায়েলে ইমোৰীয়াসকলৰ দেশত বাস
কৰিবলৈ ধৰিলে। ৩২ মোচিয়ে যাজেৰক গুপুতে চাবলৈ মানুহ পঠালে।
তাৰ পাছত লোকসকলে তাৰ সকলো উপনগৰ হাত কৰি লৈ, তাত
থকা ইমোৰীয়াসকলক দূৰ কৰিলে। ৩৩ তেতিয়া তেওঁলোক ঘূৰি
বাচানৰ বাটেদি উঠি গ'ল। তেওঁলোকৰ বিৰুদ্ধে ইদ্ৰেয়ীত যুদ্ধ কৰিবলৈ
বাচানৰ ৰজা ওগ আৰু তেওঁৰ সকলো প্ৰজাসকল ওলাল। ৩৪ তেতিয়া
যিহোৱাই মোচিক ক'লে, "তুমি তেওঁলৈ ভয় নকৰিবা; কিয়নো মই
তেওঁক, তেওঁৰ আটাই প্ৰজাক আৰু তেওঁৰ দেশকো তোমাৰ হাতত
শোধাই দিলোঁ। তুমি হিচবোনত থকা ইমোৰীয়া ৰজা চীহোনলৈ যেনে
কৰিলা, তেওঁলৈকো তেনে কৰিবা।" ৩৫ গতিকে তেওঁলোকৰ তেওঁৰ
কোনো শেষ নথকাকৈ, তেওঁক, তেওঁৰ পুতেকসকলক আৰু তেওঁৰ
আটাই প্ৰজাক মাৰি, তেওঁৰ দেশ অধিকাৰ কৰি ল'লে।

২২ যৰ্দ্দন নদীৰ পৰা আনফালে যিৰীহোৰ ওচৰত থকা মোৱাবৰ
সমথলত ছাউনি নপতালৈকে ইস্ৰায়েলৰ সন্তান সকলে যাত্ৰা কৰি
আছিল। ২ তেতিয়া আটাই ইস্ৰায়েলে ইমোৰীয়াসকললৈ কৰা আটাইকে
চিপ্পোৰৰ পুত্ৰ বালাকে দেখি আছিল। ৩ আৰু মোৱাবে লোকসকলৰ
কাৰণে অতিশয় ভয়ত আছিল, কিয়নো তেওঁলোক অধিক আছিল;

আৰু মোৱাব ইস্ৰায়েলৰ সন্তান সকলৰ কাৰণে অতিশয় ব্যাকুল হ’ল।
৪ মোৱাবৰ ৰজাই মিদিয়নৰ বৃদ্ধ লোক সকলক ক’লে, “গৰুৱে পথাৰৰ
কোমল ঘাঁহ চেলেকাদি, এই লোক সকলে আমাৰ চাৰিওঁফালে থকা
সকলোকে খাই শেষ কৰিব।” সেই কালত চিপ্পোৰৰ পুত্র বালাক
মোৱাবৰ ৰজা আছিল। ৫ তেওঁ বিয়োৰৰ পুত্র বিলিয়মক মাতিবলৈ,
তেওঁৰ স্ব-জাতীয় লোকসকলৰ দেশলৈ ফৰাৎ নদীৰ পাৰত থকা পথোৰ
নগৰলৈ দূত পঠাই তেওঁক ক’লে, “চোৱা, মিচৰৰ পৰা এক জাতি
ওলাই আহিছে। চোৱা, তেওঁলোকে পৃথিৱীখন ঢকাৰ দৰে ঢাকি এই
মূহুৰ্ত্তত আমাৰ সন্মূখতে আছে। ৬ মই নিবেদন কৰোঁ, আপুনি আহি
মোৰ কাৰণে সেই জাতিক শাও দিয়ক, কিয়নো তেওঁলোক মোতকৈ
অতি বলৱন্ত। কিজানি তেওঁলোকক জয় কৰি দেশৰ পৰা খেদিবলৈ
মোৰ সাধ্য হ’ব। কিয়নো মই জানো, আপুনি যিজনক আশীৰ্ব্বাদ কৰে,
তেওঁ আশীৰ্ব্বাদ পায়, আৰু যিজনক শাও দিয়ে, তেওঁ শাও পায়।” ৭
পাছে মোৱাবৰ বৃদ্ধসকলে আৰু মিদিয়নৰ বৃদ্ধসকলে মঙ্গল চোৱাৰ
বেচ হাতত লৈ প্ৰস্থান কৰিলে। আৰু তেওঁলোকে বিলিয়মৰ ওচৰ পাই
বালাকৰ কথাবোৰ তেওঁক ক’লে। ৮ তাতে তেওঁ তেওঁলোকক উত্তৰ
দিলে, “তোমালোক আজি ৰাতি এই ঠাইতে থাকা। যিহোৱাই মোক
যিহকে ক’ব, সেই দৰেই মই তোমালোকক উত্তৰ দিম।” গতিকে
মোৱাবৰ অধ্যক্ষসকল বিলিয়মৰ লগতে সেই ৰাতিটো থাকিল। ৯
ঈশ্বৰে বিলিয়মৰ ওচৰলৈ আহি তেওঁক ক’লে, “তোমাৰ লগত থকা এই
লোকসকল কোন?” ১০ বিলিয়মে ঈশ্বৰক উত্তৰ দি ক’লে, “মোৱাবৰ
ৰজা চিপ্পোৰৰ পুত্র বালাকে মোৰ ওচৰলৈ তেওঁলোকক কৈ পঠিয়াইছে।
তেওঁ কৈছে, ১১ ‘চোৱা, মিচৰৰ পৰা ওলাই অহা জাতিয়ে পৃথিৱী
ঢকা দি মোৰ ঠাই ঢাকি ধৰিছে। এতিয়া তুমি আহি মোৰ কাৰণে
তেওঁলোকক শাও দিয়া। কিজানি মই যুদ্ধ কৰি তেওঁলোকক খেদিব
পাৰিম’।” ১২ তেতিয়া ঈশ্বৰে বিলিয়মক ক’লে, “তুমি তেওঁলোকৰ
লগত নাযাবা। তুমি সেই জাতিক শাও নিদিবা; কিয়নো তেওঁলোক
আশীৰ্ব্বাদ পোৱা লোক।” ১৩ পাছত বিলিয়মে ৰাতিপুৱাতে উঠি
বালাকৰ অধ্যক্ষসকলক ক’লে, “তোমালোকে নিজ দেশলৈ গুচি

যোৱা; কিয়নো যিহোৱাই তোমালোকৰ লগত মোক যাবলৈ অনুমতি
নিদিলে।” ১৪ তাতে মোৱাবৰ অধ্যক্ষসকলে উঠি বালাকৰ গুৰিলৈ
আহিল। তেওঁলোকে ক’লে, “আমাৰ লগত আহিবলৈ বিলিয়ম অসন্মত
হ’ল।” ১৫ বালাকে তেওঁলোকতকৈ অৰ্থাৎ প্ৰথম দলটিতকৈ অধিক
আৰু অতিশয় সম্ভ্ৰান্ত আন অধ্যক্ষসকলক পঠিয়ালে। ১৬ তেওঁলোকে
বিলিয়মৰ ওচৰলৈ গৈ তেওঁক ক’লে, “চিপ্পোৰৰ পুত্ৰ বালাকে এই
কথা কৈছে, ‘মই নিবেদন কৰোঁ, মোৰ ওচৰলৈ আহিবলৈ আপোনাক
একোৱে বাধা নিদিয়ক। ১৭ কিয়নো মই আপোনাক অতিশয়ৰূপে
সন্মানিত কৰিম আৰু যি যি আজ্ঞা দিব, তাকে কৰিম; এই হেতুকে
বিনয় কৰোঁ। আপুনি আহি মোৰ কাৰণে এই জাতিক শাও দিয়ক’।” ১৮
তেতিয়া বিলিয়মে বালাকৰ দাসবোৰক উত্তৰ দিলে, “যদিও বালাকে
ৰূপ আৰু সোণেৰে পূৰ হোৱা নিজৰ ৰাজপ্ৰাসাদো মোক দিয়ে, তথাপি
মই ক্ষুদ্ৰ কি মহৎ কাৰ্য কৰিবলৈ নিজ ঈশ্বৰ যিহোৱাৰ আজ্ঞা উলঙ্ঘন
কৰিব নোৱাৰোঁ। ১৯ এতিয়া নিবেদন কৰোঁ, তোমালোকো এই ঠাইতে
আজি ৰাতিটো থাকা, যিহোৱাই মোক আৰু যি ক’ব, তাক মই জানিম।”
২০ পাছত ঈশ্বৰে ৰাতি বিলিয়মৰ ওচৰলৈ আহি তেওঁক ক’লে, “যিহেতু
সেই লোকসকলে তোমাক মাতিবলৈ আহিছে, তুমি উঠি তেওঁলোকৰ
লগত যোৱা; কিন্তু মই তোমাক যিহকে ক’ম, তাকেহে তুমি কৰিবা।”
২১ বিলিয়মে ৰাতিপুৱাতে উঠি নিজৰ গাধ সজাই তাত উঠি মোৱাবৰ
অধ্যক্ষসকলৰ লগত প্ৰস্থান কৰিলে। ২২ পাছত তেওঁ যোৱাতে ঈশ্বৰৰ
ক্ৰোধ জ্বলি উঠিল। আৰু যিহোৱাৰ দূত তেওঁৰ বিৰুদ্ধকাৰী হৈ বাটৰ
মাজত থিয় হ’ল। তেতিয়া তেওঁ নিজৰ গাধত উঠি নিজৰ দুজন দাসেৰে
সৈতে গৈছিল। ২৩ তেতিয়া সেই গাধজনীয়ে খোলা তৰোৱাল ধৰা
যিহোৱাৰ দূতক বাটৰ মাজত থিয় হৈ থকা দেখিলে। এই হেতুকে
গাধজনীয়ে বাট এৰি পথাৰৰ ফাললৈ গ’ল। বিলিয়মে গাধজনীক
বাটলৈ আনিবৰ কাৰণে তাইক কোবালে। ২৪ তেতিয়া যিহোৱাৰ দূত
দুইফালে গড় থকা দ্ৰাক্ষাবাৰীৰ ঠেক বাটত থিয় হ’ল। ২৫ গাধজনীয়ে
যিহোৱাৰ দূতক আকৌ দেখি গড়ত গা ঘঁহাই যাওঁতে, বিলিয়মৰ
ভৰি গড়ত ঘঁহা খালে; তেতিয়া তেওঁ আকৌ তাইক কোবালে। ২৬

যিহোৱাৰ দূত আৰু অলপমান আগলৈ গৈ, সোঁফালে কি বাওঁফালে ঘূৰিবলৈ ঠাই নোহোৱা এনে এক চেপ ঠাইত থিয় হ'ল। ২৭ তেতিয়া গাধজনীয়ে যিহোৱাৰ দূতক দেখি বিলিয়মেৰে সৈতে আঁঠুকাঢ়ি পৰিল, বিলিয়াম খঙত জ্বলি উঠিল আৰু তেওঁ গাধজনীক লাখুটিৰে কোবাবলৈ ধৰিলে। ২৮ তেতিয়া যিহোৱাই গাধক কথা ক'বলৈ শক্তি দিলে। গাধজনীয়ে বিলিয়মক ক'লে, "মই তোমাক কি কৰিলোঁ যে, তুমি এই তিনিবাৰ মোক কোবালা?" ২৯ বিলিয়মে গাধজনীক ক'লে, "তই মোক অমান্য কৰিছ; মোৰ হাতত তৰোৱাল থকা হ'লে বৰ ভাল আছিল; সেয়ে হোৱা হ'লে মই এতিয়াই তোক বধ কৰিলোঁহেঁতেন।" ৩০ গাধজনীয়ে বিলিয়মক ক'লে, "যাৰ ওপৰত তুমি আজিলৈকে তোমাৰ সমস্ত জীৱন উঠি আহিছা, মই জানো সেই গাধজনী নহওঁ? মই জানো কেতিয়াবা তোমালৈ এনে ব্যৱহাৰ কৰিছিলোঁ?" বিলিয়মে ক'লে, "নাই কৰা।" ৩১ তেতিয়া যিহোৱাই বিলিয়মৰ চকু মুকলি কৰিলে, খোলা তৰোৱাল হাতত লোৱা যিহোৱাৰ দূতক বাটৰ মাজত থিয় হৈ থকা তেওঁ দেখিলে; তেতিয়াই তেওঁ মূৰ দোঁৱাই উবুৰি হৈ পৰিল। ৩২ তেতিয়া যিহোৱাৰ দূতে তেওঁক ক'লে, "তুমি সেই তিনিবাৰ নিজৰ গাধজনীক কিয় মাৰিলা? চোৱা, মই তোমাৰ বিৰুদ্ধকাৰী হৈ ওলাইছোঁ, কিয়নো মোৰ সাক্ষাতে তুমি অপথে গৈছা। ৩৩ আৰু গাধজনীয়ে মোক দেখি এই তিনিবাৰ মোৰ সন্মুখৰ পৰা ঘূৰিছিল। তাই মোৰ সন্মুখৰ পৰা নুঘূৰা হ'লে মই নিশ্চয়ে তোমাক বধ কৰিলোঁহেঁতেন, কিন্তু তাইক জীয়াই ৰাখিলোঁহেঁতেন।" ৩৪ বিলিয়মে যিহোৱাৰ দূতক ক'লে, "মই পাপ কৰিলোঁ; কিয়নো আপুনি যে মোৰ বিৰুদ্ধে বাটত থিয় হৈ আছে, তাক মই নাজানিলোঁ। কিন্তু এতিয়া যদি ইয়াত আপোনাৰ বেজাৰ হৈছে, তেন্তে মই উলটি যাওঁ।" ৩৫ তেতিয়া যিহোৱাৰ দূতে বিলিয়মক ক'লে, "সেই লোকসকলেৰে সৈতে যোৱা। কিন্তু মই যি কথা তোমাক ক'ম, কেৱল তাকেহে ক'বা।" আৰু বিলিয়ম বালাকৰ অধ্যক্ষসকলেৰে সৈতে গ'ল। ৩৬ পাছে বিলিয়ম অহাৰ বাতৰি শুনি, বালাকে তেওঁক আগবঢ়াই নিবলৈ দেশৰ সীমাৰ দাঁতিত অৰ্ণোনৰ সীমাত থকা মোৱাবৰ নগৰলৈ গ'ল। ৩৭ পাছত বালাকে বিলিয়মক

ক’লে, “মই আপোনাক মাতিবলৈ জানো অতি যত্নেৰে মানুহ পঠোৱা নাছিলো? আপুনি মোৰ ওচৰলৈ কিয় নহাকৈ আছিল? আপোনাক সন্মানিত কৰিবলৈ মই জানো নিচেই অসমৰ্থ?” ৩৮ তাতে বিলিয়মে বালাকক ক’লে, “এইয়া চোৱা, মই তোমাৰ ওচৰলৈ আহিছোঁ। তথাপি এতিয়াও কোনো কথা ক’বলৈ জানো মোৰ ক্ষমতা আছে? ঈশ্বৰে মোৰ মুখত যি বাক্য দিব, তাকেহে মই ক’ম।” ৩৯ বিলিয়মে বালাকৰ লগত আহি কিৰিয়ৎ-হুচোৎ পালেহি। ৪০ আৰু বালাকে গৰু আৰু মেৰ বলিদান কৰি, বিলিয়ম আৰু তেওঁৰ লগৰ অধ্যক্ষসকললৈ মাংস পঠিয়ালে। ৪১ পাছত ৰাতিপুৱাতে বালাকে বিলিয়মক বালৰ পবিত্ৰ ঠাইবোৰলৈ লৈ গ’ল। তাৰ পৰা তেওঁ ইশ্ৰায়েলীয়া সকলৰ মাথোন এফালহে দেখা পালে।

২৩ বিলিয়মে বালাকক ক’লে, “তুমি এই ঠাইত মোৰ কাৰণে সাতোটা যজ্ঞবেদী নিৰ্ম্মাণ কৰোঁৱা আৰু এই ঠাইতে মোৰ বাবে সাতোটা ভতৰা আৰু সাতোটা মতা মেৰ আয়োজন কৰা।” ২ বালাকে বিলিয়মৰ কথাৰ দৰেই কৰিলে। তেতিয়া বালাক আৰু বিলিয়মে প্ৰত্যেকটা যজ্ঞবেদীত এটা এটা ভতৰা আৰু এটা এটা মতা মেৰ উৎসৰ্গ কৰিলে। ৩ তেতিয়া বিলিয়মে বালাকক ক’লে, “তুমি তোমাৰ হোম বলিৰ ওচৰত থিয় হোৱা, মই যাওঁ। কিজানি যিহোৱাই মোৰে সৈতে সাক্ষাৎ কৰিব। সেয়ে হলে তেওঁ মোক যিহকে দেখুৱাই, তাকেই মই তোমাক ক’ম।” পাছে তেওঁ গছ-গছনি নথকা এনে এখন ওখ ঠাইলৈ গ’ল। ৪ তেতিয়া ঈশ্বৰে বিলিয়মেৰে সৈতে সাক্ষাৎ কৰিলত, বিলিয়মে তেওঁ ক’লে, “মই সাতোটা যজ্ঞবেদী যুগুত কৰিলোঁ আৰু প্ৰত্যেকটি যজ্ঞবেদীত এটা এটা ভতৰা আৰু এটা এটা মতা মেৰ উৎসৰ্গ কৰিলোঁ।” ৫ তেতিয়া যিহোৱাই বিলিয়মৰ মুখত এক বাক্য দি তেওঁক ক’লে, “তুমি বালাকৰ ওচৰলৈ উলটি গৈ তেওঁক এই কথা কোৱা।” ৬ তেতিয়া বিলিয়ম বালাকৰ ওচৰলৈ উলটি গ’ল, চোৱা, সেই সময়ত মোৱাবৰ অধ্যক্ষসকলেৰে সৈতে বালাক নিজৰ হোম বলিৰ ওচৰত থিয় হৈ আছিল। ৭ তেতিয়া বিলিয়মে নিজৰ ভৱিষ্যৎ বাণী পদ্যৰূপে গাই ক’লে, “বালাকে অৰামৰ পৰা মোক অনালে,

মোৱাবৰ ৰজাই পূবফালৰ পৰ্ব্বতৰ পৰা মোক অনালে। ‘আহাঁ, মোৰ
কাৰণে যাকোবক শাও দিয়া,’ তেওঁ ক’লে। আহাঁ, ইস্রায়েলক ধিক্কাৰ
দিয়া।’ ৮ কিন্তু ঈশ্বৰে শাও নিদিয়া লোকক মই কেনেকৈ শাও দিম?
আৰু যিহোৱাই ধিক্কাৰ নিদিয়া লোকক মই কেনেকৈ ধিক্কাৰ দিম? ৯
কিয়নো মই শিলবোৰৰ টিঙৰ পৰা সেইজনক দেখা পাইছোঁ; আৰু
পৰ্ব্বতৰ পৰা সেইজনক দেখিছোঁ। চোৱা, তেওঁলোক অকলে বাস কৰা
লোক জাতি সমূহৰ মাজত তেওঁলোক গণিত নহয়। ১০ যাকোবৰ
ধূলি কোনে লেখ কৰিব পাৰে? বা ইস্রায়েলৰ চাৰি ভাগৰ এভাগকে
কোনে গণিব পাৰে? ধাৰ্মিকৰ মৃত্যুৰ নিচিনা মোৰ মৃত্যু হওঁক, আৰু
তেওঁৰ শেষ গতিৰ নিচিনা মোৰ শেষগতি হওঁক।” ১১ তেতিয়া বালাকে
বিলিয়মক ক’লে, “আপুনি মোলৈ এইয়া কি কৰিলে? মোৰ শত্ৰুবোৰক
শাও দিবলৈ মই আপোনাক অনিলোঁ; আপুনি সিহঁতক সকলো ভাৱে
আশীৰ্ব্বাদহে কৰিলে।” ১২ তেতিয়া বিলিয়ামে উত্তৰ দি ক’লে,
“যিহোৱাই মোৰ মুখত যি কথা দিব, সাৱধান হৈ মই তাকে নক’ম
নে?” ১৩ পাছত বালাকে তেওঁক ক’লে, “মই বিনয় কৰোঁ, আপুনি
যি ঠাইৰ পৰা তেওঁলোকক দেখিবলৈ পাব, এনেকুৱা আন ঠাইলৈ
মোৰ লগত আহক। আপুনি তেওঁলোকৰ সকলোকে দেখা পোৱা নাই,
কেৱল এফালহে দেখিবলৈ পাইছে, সেই ঠাইৰ পৰা মোৰ কাৰণে
তেওঁলোকক শাও দিব।” ১৪ তেতিয়া বালাকে তেওঁক চোফীম পথাৰৰ
মাজলৈ পিচগাৰ টিঙলৈ লৈ গ’ল; সেই ঠাইতে তেওঁ সাতোটা যজ্ঞবেদী
নিৰ্ম্মাণ কৰিলে আৰু প্ৰত্যেক যজ্ঞ-বেদীত এটা এটা ভতৰা আৰু এটা
এটা মতা মেৰ উৎসৰ্গ কৰিলে। ১৫ পাছত তেওঁ বালাকক ক’লে, “তুমি
এই ঠাইতে তোমাৰ হোম-বলিৰ ওচৰত থিয় হৈ থাকা; মই হ’লে, সৌ
তাত ঈশ্বৰৰ সাক্ষাৎ কৰোঁগে।” ১৬ তেতিয়া যিহোৱাই বিলিয়মেৰে
সৈতে সাক্ষাৎ কৰি, তেওঁৰ মুখত এক বাক্য দি তেওঁক ক’লে, “তুমি
বালাকৰ ওচৰলৈ উলটি গৈ তেওঁক এই কথা কোৱা।” ১৭ বিলিয়ম
তেওঁৰ ওচৰলৈ ঘূৰি আহিল; সেই সময়ত মোৱাবৰ অধ্যক্ষসকলেৰে
সৈতে বালাক নিজৰ হোম-বলিৰ গুৰিত থিয় হৈ আছিল। তেতিয়া
বালাকে তেওঁক সুধিলে, যিহোৱাই কি ক’লে? ১৮ বিলিয়মে নিজৰ

ভৱিষ্যৎ বাণী পদ্যৰূপে গাই ক'লে, তেওঁ ক'লে, "হে বালাক, উঠি
শুনা, হে চিপ্পোৰৰ পুত্ৰ, মোৰ কথালৈ কাণ কৰা। ১৯ ঈশ্বৰ মনুষ্য
নহয়, যে তেওঁ মিছা কথা ক'ব, তেওঁ মানুহৰ সন্তানো নহয়, যে তেওঁ
মন ঘূৰাব। তেওঁ কৈ জানো সিদ্ধ নকৰিব? তেওঁ বাক্য কৈ জানো
সাম্ফল নকৰিব? ২০ চোৱা, মই আশীৰ্ব্বাদ কৰিবলৈ আজ্ঞা পালোঁ।
তেওঁ আশীৰ্ব্বাদ কৰিলে; মই তাৰ অন্যথা কৰিব নোৱাৰোঁ। ২১ তেওঁ
যাকোবত অধৰ্ম দেখা নাই, বা ইস্ৰায়েলৰ মাজত দুষ্টতা দেখা নাই;
নিজ ঈশ্বৰ যিহোৱা তেওঁৰ লগত থাকে, আৰু তেওঁলোকৰ মাজত
ৰজাৰ জয়ধ্বনি আছে। ২২ ঈশ্বৰে মিচৰ দেশৰ পৰা তেওঁলোকক
আনিছে। তেওঁৰ বল মেঠনৰ বলৰ নিচিনা। ২৩ নিশ্চয়ে যাকোবৰ
মাজত লক্ষণ চোৱা দস্তুৰ নাই, ইস্ৰায়েলৰ মাজত মঙ্গল চোৱা কাৰ্য
নাই। এতিয়া যাকোব আৰু ইস্ৰায়েলৰ বিষয়ে কোৱা যাব, 'চোৱা ঈশ্বৰে
কেনে কাৰ্য কৰিলে!' ২৪ চোৱা, সেই লোক সমূহ সিংহীৰ দৰে উঠিছে,
সিংহৰ দৰে নিজৰ গা দাঙিছে; তেওঁ ধৰা পশু নাখায়মানে নুশুব, আৰু
বধ কৰা লোকৰ তেজ পান নকৰেমানে শয়ন নকৰিব।" ২৫ তেতিয়া
বালাকে বিলিয়মক ক'লে, "আপুনি তেওঁলোকক সমূলি শাৰো নিদিব
আৰু সমূলি আশীৰ্ব্বাদো নকৰিব।" ২৬ তেতিয়া বিলিয়মে উত্তৰ দি
বালাকক ক'লে, "যিহোৱাই মোক যি যি ক'ব, মই তাকেই কৰিম,
এইবুলি জানো মই তোমাক কোৱা নাছিলো?" ২৭ তথাপি বালাকে
বিলিয়মক ক'লে, "বিনয় কৰি কওঁ, আহক, মই আপোনাক আন ঠাইলৈ
লৈ যাওঁ। সেই ঠাইতে মোৰ কাৰণে আপুনি তেওঁলোকক শাও দিবলৈ
কিজানি ঈশ্বৰ সন্তুষ্ট হ'ব পাৰে।" ২৮ গতিকে বালাকে যিচীমোনৰ
ফাললৈ মুখ কৰা পিয়োৰৰ টিঙলৈ বিলিয়মক লৈ গ'ল। ২৯ বিলিয়মে
বালাকক ক'লে, "এই ঠাইত মোৰ বাবে সাতোটা যজ্ঞবেদী নিৰ্ম্মাণ
কৰোঁৱা আৰু ইয়াতো মোৰ বাবে সাতোটা ভতৰা আৰু সাতোটা মতা
মেৰ আয়োজন কৰা।" ৩০ তেতিয়া বালাকে বিলিয়মৰ বাক্য অনুসাৰে
কাৰ্য কৰি, প্ৰত্যেক যজ্ঞবেদীতে এটা এটা ভতৰা আৰু এটা এটা মতা
মেৰ উৎসৰ্গ কৰিলে।

২৪ যেতিয়া বিলিয়ামে দেখিলে যে ইস্রায়েলক আশীৰ্ব্বাদ কৰাত
ঈশ্বৰ তুষ্ট হৈছে, ইয়াকে দেখি বিলিয়মে আগৰ দৰে লক্ষণ চাবৰ
কাৰণে নগ'ল। বৰং, মৰুভূমিৰ ফাললৈহে মুখ কৰিলে। ২ বিলিয়মে
নিজৰ চকু তুলি ফৈদ অনুসাৰে বাস কৰা ইস্রায়েলক ছাউনি পাতি থকা
দেখিলে আৰু ঈশ্বৰৰ আত্মা তেওঁত স্থিতি হ'ল। ৩ তেতিয়া তেওঁ এই
ভৱিষ্যৎ বাণী পাই নিজৰ পদ্যৰূপে গাই গাই ক'লে, বিয়োৰৰ পুত্ৰ
বিলিয়মে কৈছে, যাৰ চকু সম্পূৰ্ণ মেলা আছিল, সেই পুৰুষে কৈছে, ৪
যি জনে ঈশ্বৰৰ বাক্য শুনে, যি জনে সৰ্ব্বশক্তিমানক দৰ্শন পায়, তেওঁ
মাটিত পৰি চকু মেলি কৈছে। ৫ হে যাকোব, তোমাৰ তম্বুবোৰ কেনে
সুন্দৰ! হে ইস্রায়েল, তোমাৰ আবাসবোৰ কেনে মনোহৰ! ৬ সেইবোৰ
উপত্যকাৰ নিচিনা বিস্তৃত, আৰু নদীৰ পাৰত থকা বাৰীবোৰৰ সদৃশ,
যিহোৱাই ৰোৱা অগৰু গছৰ নিচিনা, আৰু পানীৰ ওচৰত থকা এৰচ
গছৰ তুল্য। ৭ তেওঁৰ কলহৰ পৰা পানী উথালি খাই পৰিছে; তেওঁৰ
গুটি অনেক পানীৰ কাষত সিঁচা হ'ব, তেওঁৰ ৰজা অগাগতকৈয়ো
ওখ হ'ব, তেওঁৰ ৰাজ্যৰ উন্নতি হ'ব। ৮ ঈশ্বৰে মিচৰৰ পৰা তেওঁক
উলিয়াই আনিছে; তেওঁৰ বল মেঠনৰ বলৰ নিচিনা। তেওঁ নিজৰ বিৰুদ্ধী
জাতিবোৰক গ্ৰাস কৰিব, আৰু তেওঁলোকৰ হাড় গুড়ি কৰিব, আৰু
নিজৰ বাণৰ দ্বাৰাই সিহঁতক সৰকাই পেলাব। ৯ তেওঁ সিংহৰ দৰে
পৰি শুলে, সিংহীৰ দৰে শয়ন কৰিলে; কোনে তেওঁক জগাব? তোমাক
আশীৰ্ব্বাদ দিওঁতা প্ৰতিজন আশীৰ্ব্বাদপ্ৰাপ্ত হওঁক, আৰু তোমাক শাও
দিওঁতা প্ৰতিজন অভিশপ্ত হওঁক। ১০ তেতিয়া বিলিয়মলৈ বালাকৰ
ক্ৰোধ জ্বলি উঠিলত, তেওঁ নিজৰ হাতত চাপৰ মাৰিলে। আৰু বালাকে
বিলিয়মক ক'লে, "মোৰ শত্ৰুবোৰক শাও দিবলৈ মই তোমাক অনিলোঁ,
কিন্তু চোৱা, তিনিবাৰ তুমি সকলো প্ৰকাৰে তেওঁলোকক আশীৰ্ব্বাদহে
কৰিলা। ১১ এই হেতুকে মোক এতিয়াই এৰা আৰু নিজ ঘৰলৈ গুচি
যোৱা। মই তোমাক অতিশয় সন্মানিত কৰিম বুলি কৈছিলোঁ, কিন্তু
চোৱা, যিহোৱাই তোমাক সন্মানিত হোৱাৰ পৰা আঁতৰাই ৰাখিলে।"
১২ তেতিয়া বিলিয়মে বালাকক ক'লে, "তুমি পঠিওৱা দূতবোৰৰ আগত
মই কোৱা নাছিলো নে যে, ১৩ 'যদি বালাকে সোণ আৰু ৰূপেৰে পূৰ

হোৱা নিজৰ ৰাজপ্ৰাসাদো মোক দিয়ে, তথাপি মই নিজ ইচ্ছাৰে ভাল
বা বেয়া কাৰ্য কৰিবলৈ যিহোৱাৰ আজ্ঞা উলঙ্ঘন কৰিব নোৱাৰোঁ;
যিহোৱাই যিহকে ক'ব, মই তাকেই ক'ম।' ১৪ এতিয়া চোৱা, মই এই
স্ব-জাতীয় লোকসকলৰ ওচৰলৈ যাওঁ। আহা, এই জাতিয়ে পাছত
তোমাৰ প্ৰজাসকলক কি কৰিব, তাক মই তোমাক জনাওঁ।" ১৫
বিলিয়ামে নিজৰ পদ্য গাই ক'লে, বিয়োৰৰ পুত্ৰ বিলিয়মে কৈছে, যাৰ
চকু মেলা আছিল, সেই পুৰুষে কৈছে। ১৬ এয়েই এজনৰ ভাৰবাণী যি
জনে ঈশ্বৰৰ বাক্য শুনে, আৰু সৰ্ব্বোপৰি জনাৰ তত্ব জানে, যি জনে
সৰ্ব্বশক্তিমানক দৰ্শন পায়, সেই জনে মাটিত পৰি চকু মেলি কৈছে।
১৭ মই তেওঁক দেখিছোঁ, কিন্তু বৰ্ত্তমানে নাই; তেওঁক দৰ্শন পাইছোঁ,
কিন্তু তেওঁৰ ওচৰত থকা নাই। যাকোবৰ মাজৰ পৰা এটা তৰা উদয়
হ'ব, ইস্ৰায়েলৰ মাজৰ পৰা এক ৰাজ-দণ্ড উঠিব; সেয়ে মোৱাবৰ দীৰ্ঘ-
প্ৰস্থ গুড়ি কৰিব, আৰু হুৰামূৰা কৰা গোটেই বংশক সংহাৰ কৰিব। ১৮
তেওঁৰ শত্ৰু ইদোম এক উত্তৰাধীকাৰ হ'ব, তেওঁৰ শত্ৰু চেয়ীৰেই
এক উত্তৰাধীকাৰ হ'ব; তেতিয়া ইস্ৰায়েলে বীৰৰ কাৰ্য কৰিব। ১৯
যাকোবৰ পৰা উৎপন্ন হোৱা এজনে ৰাজত্ব কৰিব, আৰু নগৰৰ অৱশিষ্ট
লোকসকলক বিনষ্ট কৰিব। ২০ তেতিয়া বিলিয়মে অমালেকলৈ দৃষ্টি
কৰি নিজৰ পদ্য গাই ভৱিষ্যৎ বাণী গাবলৈ ধৰিলে। তেওঁ ক'লে, "এই
অমালেক জাতি সমূহৰ মাজত প্ৰথম; কিন্তু তাৰ শেষ-দশা সৰ্ব্বনাশ।"
২১ তেতিয়া বিলিয়মে কেনীয়া সকললৈ দৃষ্টি কৰি নিজৰ পদ্য গাই
ক'লে, "তোমাৰ নিবাস অতি দৃঢ়, আৰু তোমাৰ বাহ শিলত পতা।
২২ তথাপি কেনীয়ালোক বিনষ্ট হ'ব, শেষত অচুৰে তোমাক বন্দী
কৰি লৈ যাব। ২৩ তেতিয়া বিলিয়ামে নিজৰ শেষ পদ্যটি গাই গ'ল।
তেওঁ ক'লে, হায় হায়! যেতিয়া ঈশ্বৰে ইয়াক কৰিব, তেতিয়া কোন
জীয়াই থাকিব পাৰিব? ২৪ আৰু কিত্তীমৰ তীৰৰ পৰা জাহাজবোৰ
আহিব; সেইবোৰে অচুৰক ক্লেশ দিব, আৰু এবৰকো ক্লেশ দিব, কিন্তু
তেওঁলোকৰো আৰু তাৰো বিনাশ ঘটিব।" ২৫ তেতিয়া বিলিয়মে উঠি
গুচি গ'ল। তেওঁ নিজৰ ঘৰলৈ উলটি আহিল আৰু বালাকো নিজৰ বাটে
গুচি গ'ল।

**২৫** পাছত ইস্ৰায়েলে চিটীমত বাস কৰিলে আৰু লোকসকলে
মোৱাবৰ জীয়ৰীসকলেৰে সৈতে ব্যভিচাৰ কৰিবলৈ ধৰিলে, ২ কিয়নো
সেই জীয়ৰীসকলে তেওঁলোকক নিজ দেৱতাৰ বলিদান দিয়াবলৈ
মাতিছিল। তেতিয়া লোকসকলে ভোজন কৰি তেওঁলোকৰ দেৱতাৰ
আগত প্ৰণিপাত কৰিলে। ৩ ইস্ৰায়েল পিয়োৰৰ বাল দেৱতাত আসক্ত
হোৱাত, ইস্ৰায়েলৰ অহিতে যিহোৱাৰ ক্ৰোধ জ্বলি উঠিল। ৪ যিহোৱাই
মোচিক ক'লে, “যিহোৱাৰ প্ৰচণ্ড ক্ৰোধ ইস্ৰায়েলৰ পৰা গুচিবৰ বাবে,
তুমি লোকসকলৰ আটাই মূল মানুহক নি, যিহোৱাৰ উদ্দেশ্যে সূৰ্যৰ
সন্মুখত তেওঁলোকক আঁৰি থোৱা।” ৫ তেতিয়া মোচিয়ে ইস্ৰায়েলৰ
বিচাৰকৰ্ত্তাসকলক ক'লে, “তোমালোক প্ৰতিজনে পিয়োৰৰ বাল
দেৱতাত আসক্ত হোৱা নিজ লোকসকলক বধ কৰা।” ৬ পাছত
ইস্ৰায়েলৰ সন্তান সকলে সাক্ষাৎ কৰা তম্বুৰ দুৱাৰ মুখত ক্ৰন্দন
কৰি থাকোঁতে, মোচিৰ আৰু গোটেই সমাজৰ সাক্ষাতে ইস্ৰায়েলৰ
সন্তান সকলৰ মাজৰ এজন পুৰুষে নিজ জ্ঞাতিসকলৰ গুৰিলৈ এজনী
মিদিয়নীয়া মহিলাক আনিলে। ৭ তাকে দেখি, হাৰোণ পুৰোহিতৰ
নাতিয়েক ইলিয়াজৰৰ পুত্ৰ পীনহচে সমাজৰ মাজৰ পৰা উঠি হাতত
বৰচা ল'লে। ৮ সেই ইস্ৰায়েলীয়া পুৰুষৰ পাছে পাছে খেদি গৈ,
কোঁঠালিত সোমাই সেই দুই জনক, সেই ইস্ৰায়েলীয়া পুৰুষক আৰু
সেই মহিলাগৰাকীৰ পেটত খুচি মাৰিলে। তাতে ইস্ৰায়েলৰ সন্তান
সকলৰ মাজৰ পৰা মহামাৰী স্থগিত হ'ল। ৯ আৰু যিসকল মহামাৰীত
মৰিল, তেওঁলোক চব্বিশ হাজাৰ লোক আছিল। ১০ যিহোৱাই মোচিক
ক'লে, ১১ “হাৰোণ পুৰোহিতৰ নাতিয়েক ইলিয়াজৰৰ পুত্ৰ পীনহচে
ইস্ৰায়েলৰ মাজত মোৰ অন্তৰ্জ্বালাৰে জ্বলি উঠি ইস্ৰায়েলৰ সন্তান
সকলৰ পৰা মোৰ ক্ৰোধ ঘূৰুৱাত মই নিজ অন্তৰ্জ্বালাৰে ইস্ৰায়েলৰ
সন্তানসকলক বিনষ্ট নকৰিলোঁ। ১২ এই হেতুকে তুমি এই কথা
কোৱা, 'যিহোৱাই কৈছে, চোৱা, মই পিনহচক শান্তিদায়ক নিয়মটিৰ
প্ৰতিজ্ঞা সিদ্ধ কৰোঁ; ১৩ সেয়ে তেওঁৰ পক্ষে আৰু তেওঁৰ ভাবি-বংশৰ
পক্ষেও চিৰস্থায়ী পুৰোহিত পদৰ নিয়ম হ'ব; কিয়নো তেওঁ নিজ ঈশ্বৰৰ
পক্ষে অন্তৰ্জ্বালাৰে জ্বলিছিল আৰু ইস্ৰায়েলৰ সন্তানসকলক প্ৰায়শ্চিত্ত

কৰিলে।” ১৪ হত হোৱা যি ইস্ৰায়েলীয়া পুৰুষক সেই মিদিয়নীয়া
তিৰোতাৰ লগত বধ কৰা হৈছিল, তেওঁৰ নাম চালূৰ পুতেক জিম্ৰী,
তেওঁ চিমিয়োনীয়াসকলৰ পিতৃ-বংশৰ এজন অধ্যক্ষ আছিল। ১৫ আৰু
সেই হত হোৱা মিদিয়নীয়া মহিলাগৰাকিৰ নাম চূৰৰ জীয়েক কজ্বী,
চূৰ মিদিয়নৰ মাজত পিতৃ-বংশৰ লোকসকলৰ মূল মানুহ আছিল। ১৬
গতিকে যিহোৱাই মোচিক কৈছিল আৰু ক’লে, ১৭ “তুমি মিদিয়নীয়া
লোকসকললৈ শত্ৰুতা আচৰণ কৰি সিহঁতক প্ৰহাৰ কৰা। ১৮ কিয়নো
পিয়োৰ দেৱতাৰ বিষয়ে আৰু সেই পিয়োৰৰ কাৰণে মহামাৰীৰ দিনা
হত হোৱা তেওঁলোকৰ নিজ জাতিৰ কজ্বী নামেৰে মিদিয়নীয়া অধ্যক্ষৰ
জীয়েকৰ বিষয়েও তেওঁলোকে তোমালোকক প্ৰতাৰণা কৰি ছলেৰে
তোমালোকলৈ শত্ৰুতা আচৰণ কৰিলে।”

**২৬** এই মহামাৰীৰ পাছত যিহোৱাই মোচি আৰু হাৰোণৰ পুত্ৰ
ইলিয়াজৰ পুৰোহিতক ক’লে, ২ “তোমালোকে ইস্ৰায়েলৰ সন্তান
সকলৰ গোটেই মণ্ডলীৰ মাজত নিজ নিজ পিতৃ-বংশ অনুসাৰে,
ইস্ৰায়েলৰ কাৰণে ৰণলৈ যাব পৰা অৱস্থাত থকা বিশ বছৰ বয়সীয়া
আৰু তাতকৈ অধিক বয়সীয়া যিমান লোক আছে, তেওঁলোকক গণনা
কৰা।” ৩ তেতিয়া মোচি আৰু ইলিয়াজৰ পুৰোহিতে যিৰীহোৰ সন্মুখত
যৰ্দ্দনৰ ওচৰত মোৱাবৰ সমথলত লোকসকলক ক’লে, ৪ “মোচিক,
আৰু মিচৰ দেশৰ পৰা ওলাই অহা ইস্ৰায়েলৰ সন্তান সকলক দিয়া
যিহোৱাৰ আজ্ঞা অনুসাৰে, বিশ বছৰ বয়সীয়া আৰু তাতকৈ অধিক
বয়সীয়া লোকক গণনা কৰা।” ৫ ৰূবেণ ইস্ৰায়েলৰ জ্যেষ্ঠ পুত্ৰ আছিল।
তেওঁৰ পুত্ৰ হনোকৰ পৰা হনোকীয়া গোষ্ঠী, পল্লুৰ পৰা পল্লূইয়া
গোষ্ঠী, ৬ হিষ্ৰোণৰ পৰা হিষ্ৰোণীয়া গোষ্ঠী, কৰ্ম্মীয়াৰ পৰা কৰ্ম্মীয়া
গোষ্ঠী। ৭ এই সকলোৱেই ৰূবেণৰ গোষ্ঠী; তেওঁলোকৰ মাজৰ গণিত
লোক তিয়াল্লিশ হাজাৰ সাতশ ত্ৰিশজন আছিল। ৮ আৰু পল্লুৰ সন্তান
ইলিয়াব আছিল; ইলিয়াবৰ সন্তান সকল নমূৱেল, দাথন, আৰু অবীয়াম
আছিল। ৯ কোৰহৰ দলে যেতিয়া যিহোৱাৰ বিৰুদ্ধে বিবাদ কৰিছিল,
তেতিয়া মোচি আৰু হাৰোণৰ অহিতে বিবাদ কৰা মণ্ডলীভূক্ত লোক
সেই দাথন আৰু অবীৰামেই আছিল। ১০ সেই সময়ত পৃথিৱীয়ে

মুখ মেলি তেওঁলোকক আৰু কোৰহকো গ্ৰাস কৰিলে, আৰু তেওঁৰ পাছত চলোঁতাসকলোৰে মৃত্যু হ'ল; সেই সময়ত অগ্নিয়ে দুশ পঞ্চাশ জনক পুৰি ভস্ম কৰিলে, আৰু তেওঁলোকেই দৃষ্টন্তস্বৰূপ হ'ল। ১১ কিন্তু কোৰহৰ সন্তান সকলৰ হ'লে মৃত্যু হোৱা নাছিল। ১২ নিজ নিজ গোষ্ঠী অনুসাৰে এই লোকসকল চিমিয়োনৰ সন্তান: নমূৱেলৰ পৰা নমূৱেলীয়া গোষ্ঠী, যাখীনৰ পৰা যাখীনীয়া গোষ্ঠী, যামীনৰ পৰা যামীনীয়া গোষ্ঠী, যাখীনৰ পৰা যাখীনীয়া গোষ্ঠী, ১৩ জেৰহৰ পৰা জেৰহীয়া গোষ্ঠী, চৌলৰ পৰা চৌলীয়া গোষ্ঠী। ১৪ চিমিয়োনীয়া গোষ্ঠীবোৰৰ বাইশ হাজাৰ দুশজন লোক আছিল। ১৫ নিজ নিজ গোষ্ঠী অনুসাৰে এই লোকসকল গাদৰ সন্তান: চফোনৰ পৰা চফোনীয়া গোষ্ঠী, হগ্গীয়াৰ পৰা হগ্গীয়া গোষ্ঠী, চূনীৰ পৰা চূনীয়া গোষ্ঠী, ১৬ অজনী পৰা অজনীয়া গোষ্ঠী, এৰীৰ পৰা এৰীয়া গোষ্ঠী, ১৭ অৰোদৰ পৰা অৰোদীয়া গোষ্ঠী, অৰেলাৰ পৰা অৰেলীয়া গোষ্ঠী। ১৮ গাদৰ এই গোষ্ঠীবোৰৰ লোকসকলৰ সংখ্যা চল্লিশ হাজাৰ পাঁচ শ লোক আছিল। ১৯ যিহূদাৰ পুত্ৰ এৰ আৰু ওনন আছিল; এই দুজন লোকৰ কনান দেশতেই মৃত্যু হৈছিল। ২০ নিজ নিজ গোষ্ঠী অনুসাৰে এই লোকসকল যিহূদাৰ সন্তান: চেলাৰ পৰা চেলানীয়া গোষ্ঠী, পেৰচৰ পৰা পেৰচীয়া গোষ্ঠী, জেৰহৰ পৰা জেৰহীয়া গোষ্ঠী। ২১ পেৰচৰ সন্তান এইসকল: হিষ্ৰোণৰ পৰা হিষ্ৰোণীয়া গোষ্ঠী, হামূলৰ পৰা হামূলীয়া গোষ্ঠী। ২২ যিহূদাৰ এই গোষ্ঠীবোৰৰ লোকসকলৰ সংখ্যা ছয়সত্তৰ হাজাৰ পাঁচ শ লোক আছিল। ২৩ নিজ নিজ গোষ্ঠী অনুসাৰে এই লোকসকল ইচাখৰৰ সন্তান: তোলাৰ পৰা তোলাইয়া গোষ্ঠী, পুৱাৰ পৰা পুনীয়া গোষ্ঠী, ২৪ যাচূবৰ পৰা যাচূবীয়া গোষ্ঠী, চিম্ৰোণৰ পৰা চিম্ৰোণীয়া গোষ্ঠী। ২৫ ইচাখৰৰ এই গোষ্ঠীবোৰৰ লোকসকলৰ সংখ্যা চৌষষ্ঠী হাজাৰ তিনিশ লোক আছিল। ২৬ নিজ নিজ গোষ্ঠী অনুসাৰে এই লোকসকল জবূলূনৰ সন্তান: চেৰদৰ পৰা চেৰদীয়া গোষ্ঠী, এলোনৰ পৰা এলোনীয়া গোষ্ঠী, যহলেলৰ পৰা যহলেলীয়া গোষ্ঠী। ২৭ জবূলূনৰ এই গোষ্ঠীবোৰৰ লোকসকলৰ সংখ্যা ষাঠী হাজাৰ পাঁচশ লোক আছিল। ২৮ নিজ নিজ গোষ্ঠী অনুসাৰে যোচেফৰ পুত্ৰ মনচি আৰু ইফ্ৰয়িম আছিল। ২৯ মনচিৰ

সন্তান এইসকল: মাখীৰৰ পৰা মাখীৰীয়া গোষ্ঠী, সেই গিলিয়দৰ পৰা গিলিয়দীয়া গোষ্ঠী। ৩০ গিলিয়দৰ সন্তান এইসকল: ঈয়েজৰৰ পৰা ঈয়েজৰীয়া গোষ্ঠী, হেলকৰ পৰা হেলকীয়া গোষ্ঠী ৩১ অস্ৰীয়েলৰ পৰা অস্ৰীয়েলীয়া গোষ্ঠী, চেখমৰ পৰা চেখমীয়া গোষ্ঠী, ৩২ চমীদাৰ পৰা চমীদাইয়া গোষ্ঠী, আৰু হেফৰৰ পৰা হেফৰীয়া গোষ্ঠী। ৩৩ সেই হেফৰৰ পুত্ৰ চলফাদৰ কোনো পুত্ৰ সন্তান নাছিল, কেৱল জীয়েক আছিল। সেই চলফাদৰ জীয়েকসকলৰ নাম মহলা, নোৱা, হগ্লা, মিল্কা, আৰু তিৰ্চা আছিল। ৩৪ এইসকলেই মনচিৰ গোষ্ঠী আছিল যাৰ লোকসকলৰ সংখ্যা বাৱন্ন হাজাৰ সাত শ জন লোক আছিল। ৩৫ নিজ নিজ গোষ্ঠী অনুসৰি এই লোকসকল ইফ্ৰয়িমৰ সন্তান: চুথেলহৰ পৰা চুথেলহীয়া গোষ্ঠী, বেখৰৰ পৰা বেখৰীয়া গোষ্ঠী, তহনৰ পৰা তহনীয়া গোষ্ঠী, ৩৬ আৰু চুথেলহৰ সন্তান সকল এই, এৰণৰ পৰা এৰণীয়া গোষ্ঠী। ৩৭ ইফ্ৰয়িমৰ সন্তান সকলৰ এই গোষ্ঠীবোৰৰ বত্ৰিশ হাজাৰ পাঁচ শ লোক আছিল। নিজ নিজ গোষ্ঠী অনুসাৰে এই লোকসকলেই যোচেফৰ সন্তান। ৩৮ নিজ নিজ গোষ্ঠী অনুসাৰে বিন্যামীনৰ সন্তান এই লোকসকল: বেলাৰ পৰা বেলাইয়া গোষ্ঠী, অচবেলৰ পৰা অচবেলীয়া গোষ্ঠী, অহীৰামৰ পৰা অহীৰামীয়া গোষ্ঠী, ৩৯ চুফুফমৰ পৰা চুফমীয়া গোষ্ঠী, হূফমৰ পৰা হূফমীয়া গোষ্ঠী। ৪০ আৰু বেলাৰ সন্তান অৰ্দ আৰু নামন আছিল; অৰ্দৰ পৰা অৰ্দীয়া গোষ্ঠী আৰু নামনৰ পৰা নামনীয়া গোষ্ঠী। ৪১ নিজ নিজ গোষ্ঠী অনুসাৰে এওঁলোকেই বিন্যামীনৰ সন্তান; তেওঁলোকৰ সংখ্যা পঞ্চল্লিশ হাজাৰ ছশ জন লোক আছিল। ৪২ নিজ নিজ গোষ্ঠী অনুসাৰে দানৰ সন্তান এই লোকসকল: চূহমৰ পৰা চুহমীয়া গোষ্ঠী। নিজ নিজ গোষ্ঠী অনুসাৰে এওঁলোকেই দানৰ গোষ্ঠী। ৪৩ চুহমীয়াৰ আটাই গোষ্ঠীৰ সংখ্যা চৌষষ্ঠী হাজাৰ চাৰিশ জন লোক আছিল। ৪৪ নিজ নিজ গোষ্ঠী অনুসাৰে আচেৰৰ সন্তান এই লোকসকল: যিম্নাৰ পৰা যিম্নীয়া গোষ্ঠী, যিচবিৰ পৰা যিচবিয়া গোষ্ঠী, বৰীয়াৰ পৰা বৰীয়াইয়া গোষ্ঠী। ৪৫ বৰীয়াৰ সন্তান এই লোকসকল: হেবৰৰ পৰা হেবৰীয়া গোষ্ঠী, মল্কীয়েলৰ পৰা মল্কীয়েলীয়া গোষ্ঠী। ৪৬ আচেৰৰ জীয়েকৰ নাম চেৰহ আছিল। ৪৭ আচেৰৰ এই গোষ্ঠীবোৰৰ

সন্তান সকলৰ সংখ্যা ত্ৰেপন্ন হাজাৰ চাৰিশ জন লোক আছিল। ৪৮
নিজ নিজ গোষ্ঠী অনুসাৰে নপ্তালীৰ সন্তান এই লোকসকল: যহচিয়েলৰ
পৰা যহচিয়েলীয়া গোষ্ঠী, গূণীৰ পৰা গূণীয়া গোষ্ঠী, ৪৯ যেচৰৰ পৰা
যেচৰীয়া গোষ্ঠী, চিল্লেমৰ পৰা চিল্লেমীয়া গোষ্ঠী। ৫০ নিজ নিজ গোষ্ঠী
অনুসাৰে এই লোকসকল নপ্তালীৰ গোষ্ঠী; তেওঁলোকৰ গণিত লোক
পঞ্চল্লিশ হাজাৰ চাৰিশ জন আছিল। ৫১ ইস্ৰায়েলৰ সন্তান সকলৰ
মাজত গণনা কৰা লোকসকলৰ সংখ্যা ছয় লাখ এক হাজাৰ সাতশ
ত্ৰিশ জন আছিল। ৫২ পাছত যিহোৱাই মোচিক ক'লে, ৫৩ "নামৰ
সংখ্যা অনুসাৰে উত্তৰাধিকাৰৰ অৰ্থে এই লোকসকলৰ মাজত দেশ
ভাগ কৰা হ'ব। ৫৪ অধিককে থকা লোকসকলৰ গোষ্ঠীক অধিককৈ
উত্তৰাধিকাৰ দিবা, আৰু কমকৈ থকা লোকসকলৰ গোষ্ঠীক কমকৈ
দিবা; প্ৰতিজন পৰিয়ালৰ যিমান গণিত লোক, তাক সেই হিচাপে তাৰ
উত্তৰাধীকাৰ দিবা। ৫৫ কিন্তু চিঠি খেলৰ দ্বাৰাই দেশ ভাগ কৰা হ'ব;
নিজ নিজ পিতৃ বংশৰ নাম অনুসাৰে তেওঁলোকে উত্তৰাধীকাৰ পাব।
৫৬ লোক অধিক বা কমে হওঁক, চিঠি খেলৰ দ্বাৰাইহে তেওঁলোকৰ
উত্তৰাধীকাৰ তেওঁলোকৰ মাজত ভাগ বাঁটি দিয়া হ'ব।" ৫৭ নিজ নিজ
গোষ্ঠী অনুসাৰে লেবী ফৈদৰ মাজত গণিত লোক এই সকল: গেৰ্চোনৰ
পৰা গেৰ্চোনীয়া গোষ্ঠী, কহাতৰ পৰা কহাতীয়া গোষ্ঠী, মৰাৰীৰ পৰা
মৰাৰীয়া গোষ্ঠী। ৫৮ লেবীয়া গোষ্ঠী এই লোকসকল: লিবনীয়া গোষ্ঠী,
হিব্ৰোণীয়া গোষ্ঠী মহলীয়া গোষ্ঠী, মুচীয়া গোষ্ঠী আৰু কোৰহীয়া গোষ্ঠী।
৫৯ অম্ৰমৰ সন্তান কহাত আছিল; অম্ৰমৰ ভাৰ্য্যাৰ নাম যোকেবদ; তেওঁ
লেবীৰ জীয়েক; তেওঁৰ মাকে তেওঁক লেবীসকললৈ মিচৰ দেশত
জন্মালে; তেওঁ অম্ৰমলৈ হাৰোণ, মোচি আৰু তেওঁলোকৰ বায়েক
মিৰিয়মক জন্মালে। ৬০ হাৰোণলৈ নাদব, অবীহূ, ইলিয়াজৰ আৰু
ঈথামৰ জন্মিল। ৬১ কিন্তু নাদব আৰু অবীহূয়ে যিহোৱাৰ সাক্ষাতে
সাধাৰণ জুই উৎসৰ্গ কৰোঁতে তেওঁলোকৰ মৃত্যু হ'ল। ৬২ তেওঁলোকৰ
মাজত এমাহ বয়সীয়া আৰু তাতকৈ অধিক বয়সীয়া পুৰুষসকলৰ
সংখ্যা তেইশ হাজাৰ জন হ'ল আছিল। কিয়নো, ইস্ৰায়েলৰ সন্তান
সকলৰ মাজত তেওঁলোকক কোনো উত্তৰাধিকাৰ নিদিয়াৰ কাৰণে,

ইস্ৰায়েলৰ সন্তান সকলৰ মাজত তেওঁলোক গণিত নহ'ল। ৬৩ এই
সকল লোকক মোচি আৰু পুৰোহিত ইলিয়াজৰৰ দ্বাৰাই গণনা কৰা
হ'ল; তেওঁলোকে যিৰীহোৰ সন্মুখত যৰ্দ্দনৰ ওচৰত মোৱাবৰ সমথলত
ইস্ৰায়েলৰ সন্তান সকলক গণনা কৰিলে। ৬৪ কিন্তু চীনয় মৰুপ্ৰান্তত
ইস্ৰায়েলৰ সন্তান সকলক গণনা কৰা মোচি আৰু হাৰোণ পুৰোহিতৰ
দ্বাৰাই যি লোকসকলক গণনা কৰা হৈছিল, তেওঁলোকৰ এজনো
এই লোকসকলৰ মাজত নাছিল। ৬৫ কাৰণ যিহোৱাই তেওঁলোকৰ
বিষয়ে কৈছিল যে তেওঁলোকে নিশ্চয়ে মৰুপ্ৰান্তত মৰিব। এই হেতুকে
তেওঁলোকৰ মাজত যিফুন্নিৰ পুত্ৰ কালেব আৰু নুনৰ পুত্ৰ যিহোচূৱাৰ
বাহিৰে এজনো অৱশিষ্ট নাথাকিল।

**২৭** পাছত যোচেফৰ পুত্ৰ মনচিৰ গোষ্ঠীৰ মাজৰ মনচিৰ বৃদ্ধ পৰিনাতি,
মাখীৰৰ পৰিনাতি, গিলিয়দৰ নাতি হেফৰৰ পুত্ৰ চলফাদৰ জীয়েক
যি মহলা, নোৱা, হগ্লা, মিল্কা আৰু তিৰ্চা, তেওঁলোক মোচিৰ ওচৰলৈ
আহিল। ২ তেওঁলোকে মোচি, পুৰোহিত ইলিয়াজৰ, অধ্যক্ষসকল
আৰু গোটেই মণ্ডলীৰ আগত সাক্ষাৎ কৰা তম্বুৰ দুৱাৰ সন্মুখত থিয়
হৈ এই কথা ক'লে বোলে, ৩ "আমাৰ পিতৃৰ মৰুপ্ৰান্তত মৃত্যু হ'ল;
তেওঁ কোৰহৰ দলৰ মাজত, যিহোৱাৰ বিৰুদ্ধে আলচ পতাসকলৰ
দলৰ মাজত নাছিল, তেওঁৰ নিজ পাপতেহে মৃত্যু হৈছিল; অৰ্থাৎ
তেওঁৰ নিজ পাপৰ কাৰণেই তেওঁৰ মৃত্যু হৈছিল। ৪ আমাৰ পিতৃৰ
পুত্ৰ সন্তান নথকাত তেওঁৰ গোষ্ঠীৰ মাজৰ পৰা তেওঁৰ নাম কিয়
লোপ পাব? আমাৰ পিতৃ বংশৰ ভাইসকলৰ মাজত আমাকো আমাৰ
উত্তৰাধীকাৰ দিয়ক।" ৫ তেতিয়া মোচিয়ে সেই বিষয়ে যিহোৱাৰ
আগত তেওঁলোকৰ কথা ক'লে। ৬ তেতিয়া যিহোৱাই মোচিক কলে,
৭ "চলফাদৰ জীয়েকসকলে ঠিকেই কৈছে। তুমি তেওঁলোকৰ পিতৃ
বংশৰ ভাইসকলৰ মাজত অৱশ্যে তেওঁলোকক উত্তৰাধিকাৰ দিবা
আৰু তেওঁলোকৰ পিতৃৰ উত্তৰাধীকাৰ তেওঁলোকে যেন পাই সেই
বিষয়ে নিশ্চিত কৰিবা। ৮ আৰু ইস্ৰায়েলৰ সন্তান সকলক কোৱা,
'কোনো এজন লোকৰ যদি মৃত্যু হয় আৰু তেওঁৰ যদি কোনো পুত্ৰ
নাথাকে তেতিয়া তোমালোকে তেওঁৰ উত্তৰাধিকাৰ তেওঁৰ জীয়েকক

গতাই দিবা। ৯ যদি তেওঁৰ জীয়েক নাথাকে, তেন্তে তেওঁৰ ভায়েক-
ককায়েকক তেওঁৰ উত্তৰাধিকাৰ দিবা। ১০ যদি তেওঁৰ কোনো
ভাই বা ককাই নাথাকে, তেন্তে তেওঁৰ পিতৃৰ ভাইসকলক তেওঁৰ
উত্তৰাধিকাৰ দিবা। ১১ যদি তেওঁৰ পিতৃৰ কোনো ভাই বা ককাই
নাথাকে, তেন্তে তাৰ গোষ্ঠীৰ মাজৰ আটাইতকৈ ওচৰৰ সম্বন্ধীয়া
লোক জনক তেওঁৰ উত্তৰাধীকাৰ দিবা; আৰু তেওঁ তাক নিজ অধিকাৰ
কৰিব। মোচিলৈ কোৱা যিহোৱাৰ আজ্ঞাৰ দৰে এয়ে ইস্রায়েলৰ সন্তান
সকলৰ স্বত্ববিষয়ক বিধি হ'ব'।" ১২ যিহোৱাই মোচিক পুনৰায় কলে,
"তুমি অবাৰীম পৰ্ব্বতত উঠি, যি দেশ মই ইস্রায়েলৰ সন্তান সকলক
দিলোঁ, তাক চোৱা। ১৩ তাক দেখাৰ পাছত তোমাৰ ভাই হাৰোণৰ
নিচিনাকৈ তোমাকো নিজ লোকসকলৰ ওচৰলৈ নিয়া হ'ব। ১৪ কিয়নো
ছিন মৰুপ্ৰান্তত মণ্ডলীৰ বিবাদত, শিলৰ পৰা জল বৈ যোৱা সময়ত
তোমালোকে লোকসকলৰ আগত মোক পবিত্ৰৰূপে মান্য কৰিবলৈ
দিয়া আজ্ঞা উলঙ্ঘন কৰিলা।" সেই জল ছিন অৰণ্যৰ কাদেচত থকা
মিৰীবাৰ জল। ১৫ তেতিয়া মোচিয়ে যিহোৱাক ক'লে, ১৬ "হে যিহোৱা,
আপুনি সকলোৰে শৰীৰত থকা আত্মাৰ ঈশ্বৰ, আপুনি মণ্ডলীৰ ওপৰত
এজন লোকক নিযুক্ত কৰক, যি জন লোকে ১৭ ইস্রায়েলৰ সন্তান
সকলৰ আগত অহা-যোৱা কৰিব পাৰে আৰু তেওঁলোকক বাহিৰলৈ-
ভিতৰলৈ নিব পাৰে যাতে যিহোৱাৰ মণ্ডলী ৰখীয়া নোহোৱা মেৰৰ
জাকৰ নিচিনা নহয়।" ১৮ তেতিয়া যিহোৱাই মোচিক ক'লে, "মোৰ
আত্মাই বাস কৰা নুনৰ পুত্ৰ যিহোচূৱাক লৈ তেওঁৰ মূৰত হাত দিয়া,
১৯ আৰু ইলিয়াজৰ পুৰোহিত আৰু গোটেই মণ্ডলীৰ আগত তেওঁক
উপস্থিত কৰি তেওঁলোকৰ আগতে তেওঁলোকক আগবঢ়াই নিবলৈ
তেওঁক আদেশ দিয়া। ২০ ইস্রায়েলৰ সন্তান সকলৰ গোটেই মণ্ডলীয়ে
তেওঁৰ আজ্ঞা মানিবৰ কাৰণে তেওঁক নিজ সন্মানৰ ভাগী কৰা। ২১
তেওঁ পুৰোহিত ইলিয়াজৰ সন্মুখত থিয় হ'ব, আৰু ইলিয়াজৰে তেওঁৰ
কাৰণে উৰীমৰ বিচাৰৰ দ্বাৰাই যিহোৱাক সুধিব, তেতিয়া তেওঁ আৰু
তেওঁৰ লগত ইস্রায়েলৰ সকলো সন্তান সকলে, গোটেই মণ্ডলীয়ে
সৈতে ইলিয়াজৰৰ আজ্ঞাতে বাহিৰলৈ-ভিতৰলৈ অহা-যোৱা কৰিব।"

২২ পাছত মোচিয়ে যিহোৱাই দিয়া আজ্ঞাৰ দৰেই কাৰ্য কৰিলে; তেওঁ
যিহোচূৱাক নি, গোটেই মণ্ডলীৰ আগত উপস্থিত কৰিলে। ২৩ তেওঁ
তেওঁৰ মূৰত হাত দি, মোচিৰ দ্বাৰাই কোওৱা যিহোৱাৰ বাক্য অনুসাৰে
তেওঁক আদেশ দিলে।

**২৮** পাছত যিহোৱাই মোচিক ক'লে, ২ "তুমি ইস্রায়েলৰ সন্তানসকলক
আজ্ঞা দিয়া আৰু কোৱা, 'তেওঁলোকে যেন মোৰ উপহাৰ আৰু
মোৰ সুঘ্ৰাণাৰ্থক মোৰ ভক্ষ্যস্বৰূপ মোৰ অগ্নিকৃত উপহাৰ নিজ নিজ
নিয়মিত সময়ত মোৰ অৰ্থে উৎসৰ্গ কৰিবৰ বাবে তেওঁলোক যেন
সজাগে থাকে'। ৩ এই হেতুকে তুমি ইয়াকো তেওঁলোকক কোৱা
যে, 'তোমালোকে যিহোৱাৰ উদ্দেশ্যে উৎসৰ্গ কৰিব লগা অগ্নিকৃত
উপহাৰ এই, প্ৰতিদিনে নিত্য হোমৰ অৰ্থে দুটা এবছৰীয়া নিঘূণ মতা
মেৰ পোৱালি ল'বা। ৪ এটা মেৰ পোৱালি ৰাতিপুৱা উৎসৰ্গ কৰিবা
আৰু আনটো মেৰ পোৱালি সন্ধিয়া পৰত উৎসৰ্গ কৰিবা। ৫ আৰু
ভক্ষ্য নৈবেদ্যৰ কাৰণে হীনৰ চাৰিভাগৰ এভাগ খুন্দি উলিওৱা তেল
মিহলোৱা ঐফাৰ দহ ভাগৰ এভাগ মিহি আটাগুড়ি ল'বা। ৬ এয়ে
নিত্য হোম; যিহোৱাৰ উদ্দেশ্যে সুঘ্ৰাণাৰ্থক অগ্নিকৃত উপহাৰস্বৰূপে
চীনয় পৰ্ব্বতত এই আজ্ঞাই নিৰূপিত হৈছিল। ৭ আৰু তাৰ প্ৰথম মেৰ
পোৱালিৰ কাৰণে হীনৰ চাৰি ভাগৰ এভাগ তাৰ পেয় নৈবেদ্য হ'ব;
তুমি পবিত্ৰ স্থানত যিহোৱাৰ উদ্দেশ্যে পেয় নৈবেদ্যস্বৰূপে ৰাগীয়াল
ৰস ঢালি দিবা। ৮ আৰু দ্বিতীয় মেৰ পোৱালিটো সন্ধিয়া পৰত উৎসৰ্গ
কৰিবা; ৰাতিপুৱা দিয়া ভক্ষ্য নৈবেদ্য আৰু তাৰ পেয় নৈবেদ্যৰ দৰে
তাকো যিহোৱাৰ উদ্দেশ্যে সুঘ্ৰাণাৰ্থক অগ্নিকৃত উপহাৰস্বৰূপে উৎসৰ্গ
কৰিবা। ৯ আৰু বিশ্ৰাম-দিনত দুটা এবছৰীয়া নিঘূণ মতা মেৰ পোৱালি,
আৰু তেল মিহলোৱা ঐফাৰ দহ ভাগৰ দুভাগ ভক্ষ্য নৈবেদ্য আৰু তাৰ
পেয় নৈবেদ্য উৎসৰ্গ কৰিবা; । ১০ নিত্য হোম আৰু পেয় নৈবেদ্যৰ
বাহিৰেও প্ৰতি বিশ্ৰাম-বাৰে এই হোম হ'ব। ১১ আৰু প্ৰত্যেক মাহৰ
আৰম্ভণিতে তোমালোকে যিহোৱাৰ উদ্দেশ্যে হোমৰ বাবে দুটা দমৰা
গৰু, এটা মতা মেৰ আৰু সাতোটা নিঘূণ মতা মেৰ পোৱালি, এই
সকলোকে উৎসৰ্গ কৰিবা। ১২ আৰু প্ৰত্যেক দমৰা গৰুৰ কাৰণে

ভক্ষ্য নৈবেদ্যস্বৰূপে ঐফাৰ দহ ভাগৰ তিনি ভাগ, তেল মিহলোৱা
মিহি আটাগুড়ি, আৰু মতা মেৰটোৰ কাৰণে ভক্ষ্য নৈবেদ্যস্বৰূপে
দহ ভাগৰ দুভাগ, তেল মিহলোৱা মিহি আটাগুড়ি, ১৩ আৰু প্রত্যেক
মেৰ পোৱালিৰ কাৰণে ভক্ষ্য নৈবেদ্যস্বৰূপে দহ ভাগৰ এভাগ, তেল
মিহলোৱা মিহি আটাগুড়ি উৎসৰ্গ কৰিবা; সেয়ে সুঘ্ৰাণাৰ্থক হোম-বলি,
যিহোৱাৰ উদ্দেশ্যে অগ্নিকৃত উপহাৰ। ১৪ আৰু প্রত্যেক দমৰা গৰুৰ
কাৰণে হীনৰ আধা ভাগ, আৰু মতা মেৰটোৰ কাৰণে হীনৰ তিনি
ভাগৰ এভাগ আৰু প্রত্যেক মেৰ পোৱালিৰ কাৰণে হীনৰ চাৰিভাগৰ
এভাগ দ্ৰাক্ষাৰস সেইবোৰৰ পেয় নৈবেদ্য হ'ব; এয়ে বছৰৰ প্রত্যেক
মাহত কৰিব লগীয়া মাহেকীয়া হোম। ১৫ আৰু যিহোৱাৰ উদ্দেশ্যে
পাপাৰ্থক বলিস্বৰূপে এটা মতা ছাগলী উৎসৰ্গ কৰিবা। নিত্য হোম আৰু
তাৰ পেয় নৈবেদ্যৰ বাহিৰেও ইয়াক কৰিব লাগিব। ১৬ পাছত প্রথম
মাহৰ চতুৰ্দ্দশ দিনা যিহোৱাৰ নিস্তাৰ-পৰ্ব্ব হ'ব। ১৭ আৰু সেই মাহৰ
পঞ্চদশ দিনা উৎসৱ হ'ব, সাত দিন খমীৰ নিদিয়া পিঠা ভোজন কৰিব
লাগিব। ১৮ প্রথম দিনা পবিত্র সভা হ'ব; সেই দিনা তোমালোকে
কোনো ব্যৱসায় কৰ্ম নকৰিবা। ১৯ কিন্তু যিহোৱাৰ উদ্দেশ্যে হোম-
বলিৰ অৰ্থে অগ্নিকৃত উপহাৰস্বৰূপে দুটা দমৰা গৰু, এটা মতা মেৰ
আৰু সাতোটা এবছৰীয়া মতা মেৰ পোৱালি উৎসৰ্গ কৰিবা; সেইবোৰ
নিঘূণ পশু হ'ব। ২০ আৰু প্রত্যেক দমৰা গৰুৰ কাৰণে দহ ভাগৰ
তিনিভাগ, মতা মেৰটোৰ কাৰণে দহ ভাগৰ দুভাগ। ২১ আৰু মেৰ
পোৱালি সাঁতোটাৰ প্রত্যেক পোৱালিৰ কাৰণে দহ ভাগৰ এভাগ,
তেল মিহলোৱা মিহি আটাগুড়ি সেইবোৰৰ ভক্ষ্য নৈবেদ্য হ'ব। ২২
আৰু তোমালোকক প্ৰায়শ্চিত্ত কৰিবলৈ পাপাৰ্থক বলিস্বৰূপে এটা মতা
ছাগলী উৎসৰ্গ কৰিবা। ২৩ নিত্য হোমৰ অৰ্থে ৰাতিপুৱাৰ যি হোম-
বলি, তাৰ বাহিৰেও এই সকলোকে উৎসৰ্গ কৰিবা। ২৪ এই নিয়ম
অনুসাৰে তোমালোকে সাত দিনলৈকে প্রতি দিনে যিহোৱাৰ উদ্দেশ্যে
সুঘ্ৰাণৰ অৰ্থে ভক্ষ্যস্বৰূপ অগ্নিকৃত উপহাৰ উৎসৰ্গ কৰিবা; নিত্য হোম
আৰু তাৰ পেয় নৈবেদ্যৰ বাহিৰেও ইয়াক উৎসৰ্গ কৰিবা। ২৫ আৰু
সপ্তম দিনা তোমালোকৰ পবিত্র সভা হ'ব। সেই দিনা তোমালোকে

কোনো ব্যৱসায় কৰ্ম নকৰিবা। ২৬ যি দিনা তোমালোকে সাত সপ্তাহৰ অন্তত হোৱা পৰ্ব্বত যিহোৱালৈ কোনো নতুন ভক্ষ্য নৈবেদ্য উৎসৰ্গ কৰা, প্ৰথমে পকা ফল দিয়া সেই দিনা তোমালোকৰ পবিত্ৰ সভা হ'ব। সেই দিনা কোনো ব্যৱসায় কৰ্ম নকৰিবা। ২৭ কিন্তু যিহোৱাৰ উদ্দেশ্যে সুঘ্ৰাণৰ অৰ্থে হোম-বলিস্বৰূপে দুটা দমৰা গৰু, এটা মতা মেৰ আৰু সাতোটা এবছৰীয়া মতা মেৰ পোৱালি ২৮ আৰু প্ৰত্যেক দমৰা গৰুৰ কাৰণে দহ ভাগৰ তিনি ভাগ, মতা মেৰটোৰ কাৰণে দহ ভাগৰ দুভাগ। ২৯ আৰু মেৰ পোৱালি সাঁতোটাৰ প্ৰত্যেক পোৱালিৰ কাৰণে দহ ভাগৰ এভাগ, তেল মিহলোৱা মিহি আটাগুড়ি সেইবোৰৰ ভক্ষ্য নৈবেদ্য উৎসৰ্গ কৰিবা। ৩০ আৰু তোমালোকক প্ৰায়শ্চিত্ত কৰিবলৈ এটা মতা ছাগলী উৎসৰ্গ কৰিবা। ৩১ নিত্য হোম-বলি আৰু তাৰ ভক্ষ্য নৈবেদ্যৰ বাহিৰেও তোমালোকে এই সকলোকে আৰু এইবোৰৰ পেয় নৈবেদ্য উৎসৰ্গ কৰিবা; এই সকলো নিঘূণ পশু হ'ব লাগিব'।"

**২৯** আৰু সপ্তম মাহত, মাহৰ প্ৰথম দিনা যিহোৱাৰ সন্মানৰ অৰ্থে তোমালোকৰ পবিত্ৰ সভা হ'ব। সেই দিনা তোমালোকৰ কোনো দৈনন্দিন ব্যৱসায় কৰ্ম নকৰিবা। সেই দিনা তোমালোকৰ তূৰী বজোৱা দিন হ'ব। ২ সেই দিনা তোমালোকে যিহোৱাৰ উদ্দেশ্যে সুঘ্ৰাণৰ অৰ্থে হোম-বলিস্বৰূপে এটা দমৰা গৰু, এটা মতা মেৰ আৰু সাতোটা নিঘূণ এবছৰীয়া মতা মেৰ পোৱালি ৰাখিবা। ৩ আৰু সেই দমৰা গৰুটোৰ কাৰণে দহ ভাগৰ তিনি ভাগ, মতা মেৰটোৰ কাৰণে দহ ভাগৰ দুভাগ, ৪ আৰু মেৰ পোৱালিৰ সাঁতোটাৰ প্ৰত্যেক পোৱালিৰ কাৰণে দহ ভাগৰ এভাগ, তেল মিহলোৱা মিহি আটাগুড়ি সেইবোৰৰ ভক্ষ্য নৈবেদ্য উৎসৰ্গ কৰিবা। ৫ আৰু তোমালোকক প্ৰায়শ্চিত্ত কৰিবলৈ পাপাৰ্থক বলিস্বৰূপে এটা মতা ছাগলী উৎসৰ্গ কৰিবা। ৬ নতুন জোনৰ হোম-বলি আৰু তাৰ ভক্ষ্য নৈবেদ্য, নিত্য হোম-বলি আৰু তাৰ ভক্ষ্য নৈবেদ্য আৰু সেইবোৰৰ পেয় নৈবেদ্যৰ বাহিৰেও, সেইবোৰৰ বিধিমতে তোমালোকে সুঘ্ৰাণৰ অৰ্থে যিহোৱাৰ উদ্দেশ্যে অগ্নিকৃত উপহাৰ স্বৰূপে সেই সকলোকে উৎসৰ্গ কৰিবা। ৭ সেই সপ্তম মাহৰ দশম দিনা যিহোৱাৰ সন্মানৰ অৰ্থে তোমালোকৰ পবিত্ৰ সভা হ'ব;

সেই দিনা তোমালোকে নিজ নিজ প্ৰাণক দুখ দিবা আৰু কোনো কাৰ্য
নকৰিবা। ৮ কিন্তু যিহোৱাৰ উদ্দেশ্যে সুঘ্ৰাণৰ অৰ্থে হোম-বলি স্বৰূপে
এটা দমৰা গৰু, এটা মতা মেৰ আৰু সাতোটা এবছৰীয়া মতা মেৰ
পোৱালি উৎসৰ্গ কৰিবা; আৰু সেইবোৰ নিঘূণ পশু হ'ব লাগিব। ৯
আৰু দমৰা গৰুটোৰ কাৰণে দহ ভাগৰ তিনি ভাগ, মতা মেৰটোৰ
কাৰণে দহ ভাগৰ দুভাগ, ১০ আৰু মেৰ পোৱালি সাঁতোটাৰ প্ৰত্যেক
পোৱালিৰ কাৰণে দহ ভাগৰ এভাগ, তেল মিহলোৱা মিহি আটাগুড়ি
সেইবোৰৰ ভক্ষ্য নৈবেদ্য হ'ব। ১১ আৰু পাপাৰ্থক বলিস্বৰূপে এটা
মতা ছাগলী উৎসৰ্গ কৰিবা। প্ৰায়শ্চিত্তৰ পাপাৰ্থক বলিৰ, নিত্য হোম
বলিৰ, তাৰ ভক্ষ্য নৈবেদ্যৰ আৰু সেইবোৰৰ পেয় নৈবেদ্যৰ বাহিৰেও,
এই সকলোকে উৎসৰ্গ কৰিবা। ১২ আৰু সপ্তম মাহৰ পঞ্চদশ দিনা
যিহোৱাৰ সন্মানৰ উদ্দেশ্যে তোমালোকৰ পবিত্ৰ সভা হ'ব। সেই দিনা
তোমালোকে কোনো দৈনন্দিন ব্যৱসায় কৰ্ম নকৰিবা আৰু তোমালোকে
সাত দিনলৈকে যিহোৱাৰ উদ্দেশ্যে উৎসৱ পালন কৰিবা। ১৩ আৰু
যিহোৱাৰ উদ্দেশ্যে সুঘ্ৰাণৰ অৰ্থে অগ্নিকৃত উপহাৰস্বৰূপে হোম-বলিৰ
কাৰণে তেৰটা দমৰা গৰু, দুটা মতা মেৰ আৰু চৌধ্যটা এবছৰীয়া মতা
মেৰ পোৱালি উৎসৰ্গ কৰিবা; আৰু সেইবোৰ প্ৰত্যেকটিয়েই নিৰ্ঘূণী
পশু হ'ব লাগিব। ১৪ আৰু দমৰা গৰু তেৰটাৰ প্ৰত্যেক গৰুৰ কাৰণে
দহ ভাগৰ তিনি ভাগ আৰু মতা মেৰ দুটাৰ প্ৰত্যেক মেৰৰ কাৰণে দহ
ভাগৰ দুভাগ, ১৫ আৰু মতা মেৰ পোৱালি চৌধ্যটাৰ প্ৰত্যেক মেৰ
পোৱালিৰ কাৰণে দহ ভাগৰ এভাগ, তেল মিহলোৱা মিহি আটাগুড়ি
সেইবোৰৰ ভক্ষ্য নৈবেদ্য হ'ব। ১৬ আৰু পাপাৰ্থক বলিৰ কাৰণে এটা
মতা ছাগলী উৎসৰ্গ কৰিবা। নিত্য হোম-বলি আৰু তাৰ ভক্ষ্য ও পেয়
নৈবেদ্যৰ বাহিৰেও তোমালোকে এই সকলোকে উৎসৰ্গ কৰিবা। ১৭
আৰু পবিত্ৰ সভাৰ দ্বিতীয় দিনা বাৰটা দমৰা গৰু, দুটা মতা মেৰ আৰু
চৌধ্যটা এবছৰীয়া নিঘূণ মতা মেৰ পোৱালি উৎসৰ্গ কৰিবা; আৰু
সেইবোৰ প্ৰত্যেকটি নিঘূণ পশু হ'ব লাগিব। ১৮ আৰু দমৰা গৰুৰ,
মেৰৰ আৰু মেৰ পোৱালিৰ সংখ্যা অনুসাৰে বিধিমতে সেইবোৰৰ
ভক্ষ্য আৰু পেয় নৈবেদ্য হ'ব; আৰু পাপাৰ্থক বলিৰ নিমিত্তে এটা মতা

ছাগলী আজ্ঞা দিয়াৰ দৰেই উৎসৰ্গ কৰিবা। ১৯ নিত্য হোম-বলি আৰু তাৰ ভক্ষ্য ও সেইবোৰৰ পেয় নৈবেদ্যৰ বাহিৰেও তোমালোকে এই সকলোকে উৎসৰ্গ কৰিবা। ২০ আৰু পবিত্ৰ সভাৰ তৃতীয় দিনা এঘাৰটা দমৰা গৰু, দুটা মতা মেৰ আৰু চৌধ্যটা এবছৰীয়া নিঘূণ মতা মেৰ পোৱালি উৎসৰ্গ কৰিবা, আৰু সেইবোৰ নিঘূণ পশু হ'ব লাগিব। ২১ আৰু দমৰা গৰুৰ, মেৰৰ আৰু মেৰ পোৱালিৰ সংখ্যা অনুসাৰে বিধিমতে সেইবোৰৰ ভক্ষ্য আৰু পেয় নৈবেদ্য হ'ব। ২২ আৰু পাপাৰ্থক বলিৰ অৰ্থে এটা মতা ছাগলী, উৎসৰ্গ কৰিবা। নিত্য হোম-বলি আৰু তাৰ ভক্ষ্য ও পেয় নৈবেদ্যৰ বাহিৰেও তোমালোকে এই সকলোকে উৎসৰ্গ কৰিবা। ২৩ আৰু পবিত্ৰ সভাৰ চতুৰ্থ দিনা দহোটা দমৰা গৰু, দুটা মতা মেৰ আৰু চৌধ্যটা এবছৰীয়া নিঘূণী মতা মেৰ পোৱালি উৎসৰ্গ কৰিবা আৰু প্ৰত্যেকটি নিঘূণ পশু হ'ব লাগিব। ২৪ আৰু দমৰা গৰুৰ, মেৰৰ, আৰু মেৰ পোৱালিৰ সংখ্যা অনুসাৰে বিধি অনুসাৰে সেইবোৰৰ ভক্ষ্য আৰু পেয় নৈবেদ্য হ'ব। ২৫ আৰু পাপাৰ্থক বলিৰ কাৰণে এটা মতা ছাগলী উৎসৰ্গ কৰিবা। নিত্য হোম-বলি আৰু তাৰ ভক্ষ্য ও পেয় নৈবেদ্যৰ বাহিৰেও তোমালোকে এই সকলোকে উৎসৰ্গ কৰিবা। ২৬ আৰু পঞ্চম দিনা নটা দমৰা গৰু, দুটা মতা মেৰ আৰু চৌধ্যটা এবছৰীয়া নিঘূণ মতা মেৰ পোৱালি উৎসৰ্গ কৰিবা, আৰু প্ৰত্যেকটি নিঘুণ পশু হ'ব লাগিব। ২৭ আৰু দমৰা গৰুৰ, মেৰৰ, মেৰ পোৱালিৰ সংখ্যা অনুসাৰে বিধি অনুসাৰে সেইবোৰৰ ভক্ষ্য আৰু পেয় নৈবেদ্য হ'ব; ২৮ আৰু পাপাৰ্থক বলিৰ কাৰণে এটা মতা ছাগলী উৎসৰ্গ কৰিবা। নিত্য হোম-বলি আৰু তাৰ ভক্ষ্য ও পেয় নৈবেদ্যৰ বাহিৰেও তোমালোকে এই সকলোকে উৎসৰ্গ কৰিবা। ২৯ আৰু পবিত্ৰ সভাৰ ষষ্ঠ দিনা আঠোটা দমৰা গৰু, দুটা মতা মেৰ আৰু চৌধ্যটা এবছৰীয়া মতা মেৰ পোৱালি উৎসৰ্গ কৰিবা আৰু প্ৰত্যেকটি নিঘূণ পশু হ'ব লাগিব। ৩০ আৰু দমৰা গৰুৰ, মেৰৰ আৰু মেৰ পোৱালিৰ সংখ্যা অনুসাৰে বিধিমতে সেইবোৰৰ ভক্ষ্য আৰু পেয় নৈবেদ্য হ'ব। ৩১ আৰু পাপাৰ্থক বলিৰ কাৰণে এটা মতা ছাগলী উৎসৰ্গ কৰিবা। নিত্য হোম-বলি আৰু তাৰ ভক্ষ্য ও পেয় নৈবেদ্যৰ বাহিৰেও তোমালোকে এই সকলোকে

উৎসর্গ কৰিবা। ৩২ আৰু সপ্তম দিনা সাতোটা দমৰা গৰু, দুটা মতা
মেৰ আৰু চৌধ্যটা এবছৰীয়া মতা মেৰ পোৱালি উৎসর্গ কৰিবা আৰু
প্রত্যেকটি নিঘূণ পশু হ’ব লাগিব। ৩৩ আৰু দমৰা গৰুৰ, মেৰৰ আৰু
মেৰ পোৱালিৰ সংখ্যা অনুসাৰে বিধিমতে সেইবোৰ ভক্ষ্য আৰু পেয়
নৈবেদ্য হ’ব। ৩৪ আৰু পাপার্থক বলিৰ কাৰণে এটা মতা ছাগলী
উৎসর্গ কৰিবা। নিত্য হোম বলি আৰু তাৰ ভক্ষ্য নৈবেদ্য আৰু তাৰ
পেয় নৈবেদ্যবোৰৰ বাহিৰেও তোমালোকে এই সকলোকে উৎসর্গ
কৰিবা। ৩৫ অষ্টম দিনা তোমালোকৰ আৰু এখন ধর্মীয় সভা হ’ব।
সেইদিনা তোমালোকে কোনো দৈনন্দিন ব্যৱসায়ৰ কর্ম নকৰিবা।
৩৬ কিন্তু যিহোৱাৰ উদ্দেশ্যে সুঘ্রাণৰ অর্থে অগ্নিকৃত উপহাৰ স্বৰূপে
হোম বলিৰ কাৰণে এটা দমৰা গৰু এটা মতা মেৰ আৰু সাতোটা
এবছৰীয়া মতা মেৰ পোৱালি উৎসর্গ কৰিবা আৰু প্রত্যেকটি নিঘূণ পশু
হ’ব লাগিব। ৩৭ আৰু দমৰা গৰুৰ, মেৰৰ আৰু মেৰ পোৱালিৰ সংখ্যা
অনুসাৰে বিধিমতে সেইবোৰৰ ভক্ষ্য আৰু পেয় নৈবেদ্য হ’ব। ৩৮
আৰু পাপার্থক বলিৰ কাৰণে এটা মতা ছাগলী উৎসর্গ কৰিবা। নিত্য
হোম আৰু তাৰ ভক্ষ্য ও পেয় নৈবেদ্যৰ বাহিৰেও তোমালোকে এই
সকলোকে উৎসর্গ কৰিবা। ৩৯ সঙ্কল্প সিদ্ধ কৰিবৰ কাৰণে দিয়া আৰু
ইচ্ছামতে এনেই দিয়া তোমালোকৰ উপহাৰৰ বাহিৰে, তোমালোকৰ
ভক্ষ্য ও পেয় নৈবেদ্যৰ কাৰণে আৰু তোমালোকৰ মঙ্গলার্থক বলিৰ
কাৰণে এইবোৰ তোমালোকৰ নিজৰ নিৰূপিত পৰ্ব্ববোৰত যিহোৱাৰ
উদ্দেশ্যে উৎসর্গ কৰিবা।” ৪০ মোচিয়ে যিহোৱাৰ পৰা পোৱা সকলো
আজ্ঞা অনুসাৰে ইস্রায়েলৰ সন্তান সকলক এই সকলো কথা ক’লে।

৩০ পাছত মোচিয়ে ইস্রায়েলৰ সন্তান সকলৰ ফৈদৰ মূল
লোকসকলক ক’লে। তেওঁ ক’লে, যিহোৱাই এই আজ্ঞা দিছে। ২
কোনো পুৰুষে যদি যিহোৱাৰ উদ্দেশ্যে সঙ্কল্প কৰে বা ব্রত-বন্ধনেৰে
নিজ প্রাণ বন্ধ কৰিবলৈ শপত কৰে, তেন্তে তেওঁ নিজৰ বাক্য ব্যর্থ
নকৰি, নিজৰ মুখৰ পৰা ওলোৱা আটাই বাক্য সিদ্ধ কৰিব লাগিব।
৩ আৰু কোনো মহিলাই যদি জীয়াৰী কালত পিতৃৰ ঘৰত থাকোঁতে
যিহোৱাৰ উদ্দেশ্যে কোনো সঙ্কল্প কৰে বা ব্রত-বন্ধনেৰে নিজকে বন্ধ

কৰে ৪ আৰু তাইৰ পিতৃয়ে যদি, তাই সঙ্কল্প কৰা, বা ব্ৰত-বন্ধনেৰে তাই নিজকে বন্ধ কৰা কথা শুনিও, তাইক একো নকৈ মনে মনে থাকে, তেন্তে তাইৰ সকলো সঙ্কল্প সিদ্ধ কৰিব লাগিব আৰু বন্ধনেৰে তাই নিজকে বন্ধ কৰে, তাকো সিদ্ধ কৰিব লাগিব। ৫ কিন্তু শুনা দিনা যদি তাইৰ পিতৃয়ে তাইক নিষেধ কৰে, তেন্তে তাইৰ সঙ্কল্প বা যি বন্ধনেৰে তাই নিজকে বন্ধ কৰিলে, সেই আটাই কথা সিদ্ধ কৰিব নালাগিব; আৰু তাইৰ পিতৃয়ে নিষেধ কৰা হেতুকে যিহোৱাই তাইক ক্ষমা দিব। ৬ আৰু তাই সঙ্কল্পৰ অধীন থকা বা অবিবেচনাৰূপে মুখৰ পৰা ওলোৱা বাক্যেৰে নিজকে বন্ধ কৰা কালত, যদি তাইক বিয়া দিয়া হয়, ৭ আৰু তাইৰ স্বামীয়ে তাক শুনিও, শুনা দিনা তাইক একো নকৈ মনে মনে থাকে, তেন্তে তাইৰ সঙ্কল্পবোৰ সিদ্ধ কৰিব লাগিব বা যি যি বন্ধনেৰে তাই নিজকে বন্ধ কৰিলে, তাকো সিদ্ধ কৰিব লাগিব। ৮ কিন্তু শুনা দিনা যদি তাইৰ স্বামীয়ে তাইক নিষেধ কৰে, তেন্তে তাই যি সঙ্কল্পৰ অধীন আৰু অবিবেচনাৰূপে নিজৰ মুখৰ পৰা ওলোৱা যি বাক্যৰ দ্বাৰাই তাই নিজকে বন্ধ কৰিলে, স্বামীয়ে তাক ব্যৰ্থ কৰিব আৰু যিহোৱাই তাইক ক্ষমা দিব। ৯ কিন্তু বাঁৰী বা স্বামীয়ে ত্যাগ কৰা মহিলাই সঙ্কল্প আদি বন্ধনেৰে নিজকে বন্ধ কৰা সকলো কথা সিদ্ধ কৰিব লাগিব। ১০ আৰু তেওঁ যদি স্বামীৰ ঘৰত থাকোঁতে সঙ্কল্প কৰে বা শপত কৰি নিজকে ব্ৰত বন্ধনেৰে বন্ধ কৰে, ১১ আৰু তাইৰ স্বামীয়ে সেই বিষয়ে শুনি তাইক একো নকৈ যদি মনে মনে থাকে, তাইক নিষেধ নকৰে, তেন্তে তাইৰ সকলো সঙ্কল্প সিদ্ধ কৰিব লাগিব। আৰু তাই যি বন্ধনেৰে নিজকে বন্ধ কৰিলে, তাকো সিদ্ধ কৰিব লাগিব। ১২ কিন্তু শুনা দিনা তাইৰ স্বামীয়ে যদি সেই সকলোকে কোনো ৰূপে ব্যৰ্থ কৰে, তেন্তে তাইৰ সঙ্কল্প আৰু তাইৰ ব্ৰত-বন্ধনৰ বিষয়ে তাইৰ মুখৰ পৰা যি বাক্য ওলাইছিল, তাকো সিদ্ধ কৰিব নালাগিব। তাইৰ স্বামীয়ে তাক ব্যৰ্থ কৰিলে আৰু যিহোৱাই তাইক ক্ষমা দিব। ১৩ মহিলাৰ প্ৰত্যেক সঙ্কল্প আৰু নিজকে দুখ দিবলৈ নিজকে বন্ধ কৰা শপত তাইৰ স্বামীয়ে সিদ্ধও কৰিব পাৰে, তাইৰ স্বামীয়ে তাক ব্যৰ্থও কৰিব পাৰে। ১৪ কিন্তু তাইৰ স্বামীয়ে যদি কেইবা দিনলৈকে তাইক

একো নকৈ সকলোভাৱে মনে মনে থাকে, তেন্তে তাইৰ সকলো সঙ্কল্প
আৰু নিজকে বন্ধ কৰা সকলো কথা সিদ্ধ কৰিব লগীয়া কৰে। কিয়নো
শুনা দিনা একো নকৈ মনে মনে থকাত, সি তাক সিদ্ধ কৰিব লগীয়া
কৰিলে। ১৫ কিন্তু তাক শুনাৰ পাছত যদি কোনোৰূপে সি তাক ব্যৰ্থ
কৰে, তেন্তে স্বামীয়ে তাইৰ অপৰাধৰ ফল ভোগ কৰিব। ১৬ স্বামী
আৰু ভাৰ্য্যাৰ বিষয়ে, পিতৃয়ে আৰু যৌৱন কালত তেওঁৰ ঘৰত থকা
জীয়েকৰ বিষয়ে যিহোৱাই মোচিক আজ্ঞা দিয়া বিধি এইবোৰ।

**৩১** পাছত যিহোৱাই মোচিক ক'লে, ২ "তুমি ইস্রায়েলৰ সন্তান
সকলৰ কাৰণে মিদিয়নীয়াসকলৰ প্ৰতিকাৰ সাধা; তেনে কৰি উঠি
তোমাৰ মৃত্যু হ'ব আৰু নিজ লোকসকলৰ মাজত তোমাক নিয়া
হ'ব।" ৩ তেতিয়া মোচিয়ে লোকসকলক ক'লে, "যিহোৱাৰ কাৰণে
মিদিয়নৰ প্ৰতিকাৰ সাধিবলৈ, মিদিয়নৰ বিৰুদ্ধে যুদ্ধযাত্ৰা কৰিবৰ
কাৰণে তোমালোকৰ মাজৰ কিছুমান লোকক যুদ্ধলৈ সুসজ্জিত কৰা।
৪ তোমালোকে ইস্রায়েলৰ প্ৰত্যেকখন ফৈদৰ পৰা এক এক হাজাৰ
লোকক যুদ্ধলৈ পঠিয়াবা।" ৫ তেতিয়া ইস্রায়েলৰ প্ৰত্যেক গোষ্ঠী
অনুসাৰে এক এক হাজাৰ লোকক যুদ্ধৰ বাবে যুগুত কৰা হ'ল।
এইদৰে যুদ্ধলৈ সুসজ্জিত হোৱা বাৰ হাজাৰ জন লোকক উলিওৱা
হ'ল। ৬ তাৰ পাছত মোচিয়ে, প্ৰত্যেকখন ফৈদৰ পৰা এক এক হাজাৰ
লোকৰ সৈতে পুৰোহিত ইলিয়াজৰৰ পুত্ৰ পীনহচক যুদ্ধলৈ পঠিয়ালে;
পবিত্ৰ স্থানৰ বস্তু, ৰণ বাদ্যৰ অৰ্থে কালি সেই পীনহচৰ হাতত আছিল।
৭ মোচিক দিয়া যিহোৱাৰ আজ্ঞা অনুসাৰে তেওঁলোকে মিদিয়নৰ
বিৰুদ্ধে যুদ্ধ কৰি তেওঁলোকৰ সকলো পুৰুষকে বধ কৰিলে। ৮ আৰু
তেওঁলোকে আন আন হত লোকৰ লগত মিদিয়নৰ ৰজাসকলক,
অৰ্থাৎ ইবী, ৰেকম, চূৰ, হূৰ আৰু ৰেবা, এই মিদিয়নীয়া পাঁচজন
ৰজাক বধ কৰিলে; আৰু বিয়োৰৰ পুত্ৰ বিলিয়মকো তেওঁলোকে
তৰোৱালেৰে বধ কৰিলে। ৯ ইস্রায়েলৰ সৈন্যসকলে মিদিয়নৰ
সকলো মহিলা, তেওঁলোকৰ ল'ৰা-ছোৱালী বন্দী কৰি লৈ গ'ল, আৰু
তেওঁলোকৰ গৰু, মেৰ-ছাগৰ জাক আদি সকলো সম্পত্তি লুটি লৈ
গ'ল। ১০ তেওঁলোকে যি যি ঠাইত বাস কৰিছিল, তেওঁলোকৰ সেই

সকলো নগৰ আৰু তেওঁলোকৰ আটাই ছাউনিবোৰ জ্বলাই দিলে। ১১
তেওঁলোকে লুট-দ্ৰব্য আৰু বনদীবোৰক আৰু তাৰে সৈতে সকলো
পশুৰ জাকবোৰ লগত ল'লে। ১২ তেওঁলোকে যিৰীহোৰ সন্মুখত
যৰ্দ্দনৰ পাৰৰ মোৱাবৰ সমথলত থকা ছাউনিলৈ, মোচি, পুৰোহিত
ইলিয়াজৰ আৰু ইস্ৰায়েলৰ সন্তান সকলৰ গোটেই মণ্ডলীৰ গুৰিলৈ,
সেই বন্দী কৰি নিয়া লোকবোৰ, যুদ্ধত ধৰা পশুবোৰ, আৰু লুটি
লোৱা সম্পত্তিবোৰ আনিলে। ১৩ তেতিয়া মোচি, পুৰোহিত ইলিয়াজৰ
আৰু মণ্ডলীৰ আটাই অধ্যক্ষসকলে তেওঁলোকক সাক্ষাৎ কৰিবলৈ
ছাউনিৰ বাহিৰলৈ ওলাই গ'ল। ১৪ তেতিয়া যুদ্ধৰ পৰা উভটি অহা
সহস্ৰপতি আৰু শতপতি, এই সেনাপতিসকলৰ ওপৰত মোচিৰ খং
উঠিল। ১৫ মোচিয়ে তেওঁলোকক ক'লে, “তোমালোকে মহিলাসকলক
জীয়াই ৰাখিছা নেকি? ১৬ চোৱা, বিলিয়মৰ পৰামৰ্শত তেওঁলোকে
পিয়োৰ দেৱতাৰ কথাত ইস্ৰায়েলৰ সন্তান সকলক যিহোৱাৰ বিৰুদ্ধে
সত্যলঙ্ঘন কৰাইছিল; সেই কাৰণেই যিহোৱাৰ মণ্ডলীত মহামাৰী হৈ
আছিল। ১৭ এতিয়া এই হেতুকে, তোমালোকে শিশুবোৰৰ মাজৰ
আটাই ল'ৰাবোৰক বধ কৰা, আৰু পুৰুষৰে সৈতে শয়ন কৰা সকলো
মহিলাক বধ কৰা। ১৮ কিন্তু ছোৱালীসকলৰ মাজৰ যিবোৰে পুৰুষৰে
সৈতে কেতিয়াও শয়ন কৰা নাই, তেওঁলোকক তোমালোকে নিজৰ
কাৰণে ৰাখা। ১৯ তোমালোকে সাত দিনলৈকে ছাউনিৰ বাহিৰত
ছাউনি পাতি থাকা; তোমালোকৰ যিমান লোকে বধ কৰিছা বা হত
হোৱা লোককো চুইছা, তোমালোকৰ সেই সকলোৱে আৰু বন্দী কৰি
অনা লোকসকলক তৃতীয় আৰু সপ্তম দিনা শুচি কৰা। ২০ আৰু সকলো
কাপোৰ, ছালেৰে সজা বা মেৰ-ছাগৰ নোমেৰে যুগুত কৰা বা কাঠেৰে
সজা আটাই বস্তুৰ বিষয়ে তোমালোকে নিজৰ কাৰণে শুচি কৰা।”
২১ পাছত পুৰোহিত ইলিয়াজৰে ৰণলৈ যোৱা লোকসকলক ক'লে,
“যিহোৱাই মোচিক দিয়া ব্যৱস্থাৰ এয়াও এক বিধি বোলে: ২২ কেৱল
সোণ, ৰূপ, পিতল, লোহা, বগীতাম, ২৩ আৰু সীহ আদি যিবোৰ
বস্তু জুইত নুপোৰে, সেই সকলোকে জুইৰ মাজেদি নিবা, তেতিয়া
সেয়া শুচি হ'ব। তাৰ পাছত তোমালোকে তাক অশুচিতা-নাশক

জলৰ দ্বাৰাই শুচি কৰিব লাগিব; কিন্তু যি যি বস্তু জুইত পোৰে, তাক
প্ৰথমে তোমালোকে সেই পানীৰে শুচি কৰিবা। ২৪ আৰু সপ্তম দিনা
তোমালোকে নিজ নিজ কাপোৰ ধুবা, তেতিয়া তোমালোক শুচি হ'বা;
তাৰ পাছত তোমালোকে ছাউনিত সোমাব পাৰিবা।" ২৫ যিহোৱাই
পুনৰায় মোচিক ক'লে, ২৬ "তুমি, পুৰোহিত ইলিয়াজৰ আৰু মণ্ডলীৰ
পিতৃ-বংশৰ অধ্যক্ষসকল, যুদ্ধত ধৰা মানুহ বা পশু সেই আটাই লুট-
দ্ৰব্যৰ লেখ লোৱা; ২৭ আৰু সেইবোৰ দুভাগ কৰি, এভাগ ৰণলৈ যোৱা
লোকসকল আৰু এভাগ গোটেই মণ্ডলীৰ মাজত ভাগ কৰি দিয়া; ২৮
আৰু যুদ্ধলৈ যোৱা লোকসকলৰ পৰা মানুহ, গৰু, গাধ, আৰু মেৰ-ছাগ
বা ছাগলীৰ পাঁচ শ পাঁচ শ প্ৰাণীৰ মাজৰ এটা এটা প্ৰাণী যিহোৱাৰ
কাৰণে কৰস্বৰূপে লোৱা; ২৯ তেওঁলোকৰ আধা ভাগৰ পৰা তাক লৈ,
যিহোৱাৰ উত্তোলনীয় উপহাৰস্বৰূপে পুৰোহিত ইলিয়াজৰক দিয়া। ৩০
আৰু ইস্রায়েলৰ সন্তান সকলৰ আধা ভাগৰ পৰা মানুহ, গৰু, গাধ আৰু
মেৰ-ছাগৰ জাক আদি আটাই প্ৰাণীৰেই পঞ্চাশটা পঞ্চাশটাৰ মাজৰ
পৰা এটা লৈ যিহোৱাৰ আবাসৰ ৰখীয়া লেবীয়াসকলক দিয়া।" ৩১
তেতিয়া মোচিক দিয়া যিহোৱাৰ আজ্ঞা অনুসাৰে মোচি আৰু পুৰোহিত
ইলিয়াজৰে সেই কাৰ্য কৰিলে। ৩২ ৰণুৱাসকলে লুটি অনা সম্পত্তিৰ
বাহিৰে ধৰি অনা প্ৰাণীৰ সংখ্যা এইদৰে: ছয় লাখ পঁয়সত্তৰ হাজাৰ
মেৰ-ছাগ ৩৩ বাসত্তৰ হাজাৰ ষাঁড়-গৰু, ৩৪ এষষ্ঠী হাজাৰ গাধ, ৩৫
আৰু কেতিয়াও পুৰুষে সৈতে শয়ন নকৰা ছোৱালীৰ সংখ্যা সৰ্ব্বমুঠ
বত্ৰিশ হাজাৰ আছিল। ৩৬ যুদ্ধলৈ যোৱা সৈন্যসকলৰ আধা ভাগ
প্ৰাণীৰ সংখ্যা তিনি লাখ সাতত্ৰিশ হাজাৰ পাঁচ শ মেৰ-ছাগ; ৩৭
সেই মেৰ-ছাগবোৰৰ পৰা লোৱা যিহোৱাৰ কৰ ছশ পঁয়সত্তৰটা। ৩৮
ষাঁড়-গৰু ছয়ত্ৰিশ হাজাৰ; সেইবোৰৰ মাজৰ পৰা লোৱা যিহোৱাৰ
কৰ বাসত্তৰটা। ৩৯ গাধবোৰৰ সংখ্যা ত্ৰিশ হাজাৰ পাঁচশ আছিল
আৰু সেইবোৰৰ মাজৰ পৰা লোৱা যিহোৱাৰ কৰ এষষ্ঠীটা। ৪০
মানুহৰ সংখ্যা ষোল্ল হাজাৰ গৰাকী মহিলা আৰু তেওঁলোকৰ পৰা
লোৱা যিহোৱাৰ কৰ বত্ৰিশটা। ৪১ তাৰ পাছত মোচিক দিয়া যিহোৱাৰ
আজ্ঞা অনুসাৰে, সেই কৰ তেওঁ যিহোৱাৰ উত্তোলনীয় উপহাৰ স্বৰূপে

পুৰোহিত ইলিয়াজৰক দিলে। ৪২ আৰু যুদ্ধলৈ যোৱা লোকসকলৰ
ভাগৰ পৰা যি আধা ভাগ মোচিয়ে ইস্রায়েলৰ সন্তান সকলৰ কাৰণে
ৰাখিলে- ৪৩ মণ্ডলীৰ সেই আধা ভাগৰ সংখ্যা তিনি লাখ সাতত্রিশ
হাজাৰ পাঁচশ মেৰ-ছাগ, ৪৪ ছয়ত্রিশ হাজাৰ ষাঁড়-গৰু, ৪৫ ত্রিশ
হাজাৰ পাঁচশটা গাধ ৪৬ আৰু কেতিয়াও পুৰুষৰ সৈতে শয়ন নকৰা
যোল্ল হাজাৰ মহিলা আছিল। ৪৭ ইস্রায়েলৰ সন্তান সকলৰ পৰা সেই
আধা ভাগৰ পৰা মানুহ আৰু পশুৰ পঞ্চাশটা পঞ্চাশটাৰ মাজৰ এটা
এটা লৈ মোচিক দিয়া যিহোৱাৰ আজ্ঞা অনুসাৰে তেওঁ যিহোৱাৰ
আবাসৰ ৰখীয়া লেবীয়াসকলক দিলে। ৪৮ তাৰ পাছত সহস্রপতি আৰু
শতপতি, সৈন্য সমূহৰ হাজাৰ হাজাৰৰ ওপৰত সেই সেনাপতিসকল
মোচিৰ ওচৰলৈ আহিল। ৪৯ তেওঁলোকে তেওঁক কলে, “আপোনাৰ
এই দাসবোৰে নিজৰ নিজৰ অধীনে থকা সৈন্যবোৰৰ লেখ ল’লে
আৰু আমাৰ মাজৰ এজনো হেৰোৱা নাই। ৫০ এই হেতুকে আমি
প্রতিজনে যি সোণৰ অলঙ্কাৰ, অর্থাৎ নেপুৰ, খাৰু, আঙঠি, কুণ্ডল, হাৰ,
এইবোৰ যি পাইছোঁ, তাক আমি যিহোৱাৰ আগলৈ, নিজৰ নিজৰ
প্রাণ প্রায়শ্চিত্ত কৰিবলৈ যিহোৱাৰ উপহাৰ স্বৰূপে আনিলোঁ।” ৫১
তেতিয়া মোচি আৰু পুৰোহিত ইলিয়াজৰে তেওঁলোকৰ পৰা সেই
সোণ, অর্থাৎ শিল্পকাৰে বনোৱা সেই সকলো অলঙ্কাৰবোৰ ল’লে।
৫২ সহস্রপতি আৰু শতপতিসকলে যিহোৱাৰ উদ্দেশ্যে উৎসর্গ কৰা
উত্তোলনীয় উপহাৰৰ সেই সোণ যোল্ল হাজাৰ সাতশ পঞ্চাশ চেকল
আছিল; ৫৩ কিয়নো সৈন্যসকলৰ প্রতিজনে নিজৰ কাৰণে লুটদ্রব্য
আনিছিল। ৫৪ পাছত মোচি আৰু পুৰোহিত ইলিয়াজৰে সহস্রপতি আৰু
শতপতি, এই সেনাপতিসকলৰ পৰা সেই সোণ লৈ, যিহোৱাৰ আগত
ইস্রায়েলৰ সন্তান সকলৰ স্মৰণার্থক চিন হ’বলৈ, তাক সাক্ষাৎ কৰা
তম্বুত ৰাখিলে।

৩২ ৰূবেণৰ সন্তান সকলৰ আৰু গাদৰ সন্তান সকলৰ অতিশয় অধিক
পশুৰ জাক আছিল; এই কাৰণে তেওঁলোকে যেতিয়া যাজেৰ আৰু
গিলিয়দ দেশখন দেখিলে, তেওঁলোকে তেওঁলোকৰ পশুবোৰৰ কাৰণে
সেই ঠাই ভাল দেখিলে। ২ সেই কাৰণে গাদ আৰু ৰূবেণৰ সন্তান সকলে

আহি মোচিক, পুৰোহিত ইলিয়াজৰক আৰু মণ্ডলীৰ অধ্যক্ষসকলক
ক’লে, ৩ অটাৰোৎ, দীবোন, যাজেৰ, নিম্ৰা, হিচবোন, ইলিয়ালি,
চিবাম, নবো আৰু বিয়োন, ৪ এই যি যি দেশ যিহোৱাই ইস্ৰায়েলৰ
মণ্ডলীৰ আগত পৰাজয় কৰিলে, এয়ে পশুবোৰৰ বাবে যোগ্য ঠাই;
আৰু আমি, আপোনাৰ যি দাসকল, আমাৰ অধিক পশুৰ জাক আছে।”
৫ তেওঁলোকে আকৌ ক’লে, “আমি যদি আপোনাৰ দৃষ্টিত অনুগ্ৰহ
পাইছোঁ, তেতিয়াহলে উত্তৰাধিকাৰৰ অৰ্থে আপোনাৰ এই দাসবোৰক
এই দেশ দান কৰক। আমাক যৰ্দ্দন পাৰ কৰি নিনিব।” ৬ তেতিয়া
মোচিয়ে গাদৰ আৰু ৰূবেণৰ সন্তান সকলক ক’লে, “তোমালোকৰ
ভাইসকলে যুদ্ধ কৰিবলৈ যোৱাৰ সময়ত তোমালোকে এই ঠাইত
বাস কৰিবা নে? ৭ যিহোৱাই ইস্ৰায়েলৰ সন্তান সকলক দিয়া দেশলৈ
তেওঁলোকে পাৰ হৈ নাযাবলৈ তেওঁলোকৰ মন কেলেই নিৰুৎসাহ
কৰিছা? ৮ যি কালত মই তোমালোকৰ পিতৃসকলক দেশ চাবৰ
কাৰণে কাদেচ-বৰ্ণেয়াৰ পৰা পঠিয়াইছিলোঁ সেই কালত তেওঁলোকেও
সেইদৰে কৰিছিল। ৯ কিয়নো তেওঁলোকে ইষ্কোল উপত্যকালৈকে গৈ
দেশ চাই, যিহোৱাই দিয়া সেই দেশত নোসোমাবলৈ ইস্ৰায়েলৰ সন্তান
সকলৰ মন নিৰোৎসাহ কৰিছিল। ১০ এই কাৰণে সেই দিনা যিহোৱাৰ
ক্ৰোধ জ্বলি উঠিল আৰু তেওঁ শপত কৰি, এই কথা কৈছিল, ১১ ‘মই
অব্ৰাহাম, ইচহাক আৰু যাকোবক যি দেশ দিম বুলি শপত কৰিছিলোঁ,
মিচৰৰ পৰা অহা লোকসকলৰ মাজত বিশ বছৰ আৰু তাতোতকৈ
অধিক বয়সীয়া কোনো এজন লোকেও সেই দেশ দেখিবলৈ নাপাব,
কিয়নো তেওঁবিলাকে মোৰ পথত সম্পূৰ্ণৰূপে নচলিলে; ১২ কেৱল
কনিজ্জীয়া যিফুন্নিৰ পুত্ৰ কালেব আৰু নুনৰ পুত্ৰ যিহোচুৱাই সেই দেশ
দেখিব, কাৰণ তেওঁলোকে যিহোৱাৰ পথত সম্পূৰ্ণৰূপে চলিলে’। ১৩
এইদৰে ইস্ৰায়েললৈ যিহোৱাৰ ক্ৰোধ জ্বলি উঠাত, যিহোৱাৰ দৃষ্টিত কু
কৰ্ম কৰা আটাই বংশৰ শেষ নোহোৱালৈকে, তেওঁ চল্লিশ বছৰ ধৰি
তেওঁলোকক অৰণ্যত ভ্ৰমণ কৰালে। ১৪ এতিয়া চোৱা, ইস্ৰায়েলৰ
বিৰুদ্ধে যিহোৱাৰ প্ৰচণ্ড ক্ৰোধ আৰু বঢ়াবলৈ, পাপী লোকসকলৰ নিচিনা
তোমালোকে তোমালোকৰ পিতৃসকলৰ ঠাইত উঠিছা। ১৫ কিয়নো,

তোমালোকে যদি এইদৰে তেওঁৰ পাছৰ পৰা বিমুখ হোৱা, তেনেহলে
তেওঁ পুনৰায় ইস্ৰায়েলক অৰণ্যত ত্যাগ কৰিব; তেতিয়া তোমালোকে
এই সকলো লোকক বিনষ্ট কৰাবা।” ১৬ তেতিয়া তেওঁলোকে মোচিৰ
ওচৰলৈ আহি ক’লে, “আমি এই ঠাইত নিজ পশুবোৰৰ কাৰণে
গঁৰাল সাজিম, আৰু আমাৰ পৰিয়ালবোৰৰ কাৰণে নগৰবোৰ নিৰ্ম্মাণ
কৰিম; ১৭ আৰু আমি ইস্ৰায়েলৰ সন্তান সকলক নিজ ঠাইলৈ নিনিয়া
মানে আমি নিজে ৰণলৈ সাজো হৈ, তেওঁলোকৰ আগে আগে যাম;
কেৱল আমাৰ পৰিয়ালবোৰ দেশ নিবাসীসকলৰ ভয়ত গড়েৰে আবৃত
নগৰবোৰত বাস কৰিব। ১৮ ইস্ৰায়েলৰ সন্তান সকলৰ প্ৰতিজনে নিজ
নিজ উত্তৰাধিকাৰৰ ভাগ নোপোৱালৈ আমি নিজ নিজ ঘৰলৈ উভটি
নাহিম। ১৯ আমি যৰ্দ্দনৰ সিপাৰে থকা সেই দেশৰ উত্তৰাধিকাৰৰ ভাগ
তেওঁলোকৰ সৈতে নলওঁ, কিয়নো পূৱ দিশে যৰ্দ্দনৰ এইপাৰে আমি
উত্তৰাধিকাৰৰ ভাগ পালোঁ।” ২০ তেতিয়া মোচিয়ে তেওঁলোকক ক’লে,
“তোমালোকে কোৱা এই কাৰ্য যদি কৰা, তোমালোকে যদি সুসজ্জিত
হৈ যিহোৱাৰ সাক্ষাতে যুদ্ধলৈ যাব নিজকে সাজু কৰা, ২১ তেতিয়া
তোমালোকৰ প্ৰতিজন যুদ্ধলৈ সাজু হোৱা লোকে যিহোৱাৰ সাক্ষাতে
যৰ্দ্দন পাৰ হৈ যাব লাগিব যেতিয়ালৈ তেওঁ নিজ শত্ৰুবোৰক নিজৰ
আগৰ পৰা দূৰ নকৰে ২২ আৰু তেওঁৰ আগত যেতিয়ালৈ দেশ বশীভূত
নহয়। তাৰ পাছত তোমালোক উভটি আহিব পাৰিবা। যিহোৱাৰ দৃষ্টিত
আৰু ইস্ৰায়েলৰ দৃষ্টিত তোমালোক নিৰ্দ্দোষী হ’বা, আৰু যিহোৱাৰ
সাক্ষাতে এই দেশ তোমালোকৰ উত্তৰাধীকাৰ হ’ব। ২৩ কিন্তু যদি
তোমালোকে সেই দৰে নকৰা, তেন্তে চোৱা, তোমালোকে যিহোৱাৰ
অহিতে পাপ কৰিবা, আৰু তোমালোকৰ পাপে যে তোমালোকক বিচাৰি
ওলিয়াব, সেই বিষয়ে নিশ্চয় জানিবা। ২৪ তোমালোকে নিজ নিজ
পৰিয়ালৰ কাৰণে নগৰ, আৰু মেৰ-ছাগ আৰু ছাগলীৰ জাকৰ কাৰণে
গঁৰাল সাজা; আৰু তোমালোকৰ মুখৰ পৰা ওলোৱা বাক্যৰ দৰেই সেই
কাৰ্য কৰা।” ২৫ তেতিয়া গাদৰ আৰু ৰূবেণৰ সন্তান সকলে মোচিক
ক’লে, “আমাৰ প্ৰভুৱে যি আজ্ঞা কৰিলে, আপোনাৰ এই দাসবোৰে
সেইদৰেই কৰিব। ২৬ আমাৰ ল’ৰা-ছোৱালী, আমাৰ পত্নীসকল আৰু

মেৰ-ছাগ, ছাগলী গৰু আদিৰ আটাই পশুৰ জাকবোৰ এই ঠাইৰ গিলিয়দৰ নগৰবোৰত থাকিব। ২৭ কিন্তু আমাৰ প্ৰভুৰ কথাৰ দৰে, আপোনাৰ এই দাসবোৰৰ সকলোৱে সাজু হৈ যুদ্ধ কৰিবৰ কাৰণে যিহোৱাৰ সাক্ষাতে পাৰ হৈ যাব।” ২৮ তেতিয়া মোচিয়ে তেওঁলোকৰ বিষয়ে পুৰোহিত ইলিয়াজৰক, নুনৰ পুত্ৰ যিহোচূৱাক আৰু ইস্ৰায়েলৰ সন্তান সকলৰ সকলো পিতৃ-বংশৰ অধ্যক্ষসকলক উপদেশ দিলে। ২৯ মোচিয়ে তেওঁলোকক ক'লে, “গাদৰ আৰু ৰূবেণৰ সন্তান সকলৰ প্ৰতিজনে যুদ্ধলৈ সুসজ্জিত হৈ, যিহোৱাৰ সাক্ষাতে তোমালোকৰ লগত যদি যৰ্দ্দন পাৰ হৈ যায়, তেন্তে দেশ তোমালোকৰ আগত বশীভূত হ'লে, তোমালোকে অধিকাৰ কৰিবৰ অৰ্থে তেওঁলোকক এই গিলিয়দ দেশ দিবা। ৩০ কিন্তু যদি তেওঁলোক সুসজ্জিত হৈ, তোমালোকৰ লগত পাৰ নহয়, তেন্তে তেওঁলোকে তোমালোকৰ মাজত কনান দেশত উত্তৰাধীকাৰ পাব।” ৩১ তেতিয়া গাদৰ আৰু ৰূবেণৰ সন্তান সকলে উত্তৰ দিলে, “যিহোৱাই আপোনাৰ এই দাসবোৰক যি আজ্ঞা কৰিছে, আমি সেইদৰেই কৰিম। ৩২ আমি সুসজ্জিত হৈ, যিহোৱাৰ সাক্ষাতে পাৰ হৈ কনান দেশত সোমাম, কিন্তু আমাৰ উত্তৰাধীকাৰ যৰ্দ্দনৰ ইপাৰত আমাৰ স্বত্ব থাকিব।” ৩৩ পাছত মোচিয়ে গাদৰ আৰু ৰূবেণৰ সন্তান সকলক, আৰু যোচেফৰ পুত্ৰ মনচিৰ আধা ফৈদক ইমোৰীয়াসকলৰ ৰজা চীহোনৰ ৰাজ্য আৰু বাচানৰ ৰজা ওগৰ ৰাজ্য দিলে। আৰু নিজ নিজ অঞ্চলে সৈতে নগৰ থকা দেশবোৰ, এইদৰে চাৰিওফালে থকা দেশৰ আটাই নগৰবোৰ দিলে। ৩৪ গাদৰ সন্তান সকলে দীবোন, অটাৰোৎ, অৰোয়েৰ, ৩৫ অটাৰোৎ-চোফন, যাজেৰ, যগ্বেহা, ৩৬ বৈৎ-নিম্ৰা আৰু বৈৎ-হাৰণ, গড়েৰে আবৃত এই নগৰবোৰ পুনৰায় নিৰ্ম্মাণ কৰিলে আৰু মেৰ-ছাগবোৰ জাকৰ কাৰণে গঁৰালবোৰ সাজিলে। ৩৭ আৰু ৰূবেণৰ সন্তান সকলে হিচবোন, ইলিয়ালি, কিৰিয়াথয়িম, ৩৮ নবো, আৰু বাল-মিয়োন, আৰু চিবমাও পুনৰায় নিৰ্ম্মাণ কৰিলে; তেওঁলোকে পুনৰায় নিৰ্ম্মাণ কৰা নগৰৰ নাম নতুনকৈ দিলে। ৩৯ আৰু মনচিৰ পুত্ৰ মাখীৰৰ সন্তান সকলে গিলিয়দলৈ গৈ, তাক হাত কৰি ল'লে, আৰু তাত থকা ইমোৰীয়াসকলক দূৰ কৰিলে।

৪০ পাছত মোচিয়ে মনচিৰ পুত্ৰ মাখীৰক গিলিয়দ দেশ দিলে; তেওঁৰ
লোকসকলে তাৰ মাজত বাস কৰিলে। ৪১ আৰু মনচিৰ সন্তান যায়ীৰে
গৈ, তেওঁলোকৰ সবু গাওঁবোৰ হাত কৰি ল'লে, আৰু সেইবোৰৰ নাম
হব্বোৎ-যায়ীৰ [অৰ্থাৎ যায়ীৰৰ গাওঁ] ৰাখিলে। ৪২ আৰু নোবহে গৈ,
কনাৎ নগৰ আৰু তাৰ গাওঁবোৰ হাত কৰি ল'লে, আৰু নিজৰ নামৰ
দৰেই তাৰো নাম নোবহ ৰাখিলে।

৩৩ ইস্ৰায়েলৰ সন্তান সকলে মোচি আৰু হাৰোণৰ অধীনত নিজ
সৈন্যদল অনুসাৰে মিচৰ দেশৰ পৰা ওলাই আহোঁতে, তেওঁলোকে
যি যি যাত্ৰা কৰিছিল, সেই সকলো যাত্ৰাৰ বিৰৰণ এই। ২ মোচিয়ে
যিহোৱাৰ আজ্ঞামতেই তেওঁলোকৰ সকলো যাত্ৰা অনুসাৰে তেওঁলোকে
থাকি ৰাওনা হোৱা ঠাইৰ তালিকা লিখিলে। তেওঁলোকে থাকি ৰাওনা
হোৱা ঠাই অনুসাৰে তেওঁলোকৰ এই এই যাত্ৰা। ৩ প্ৰথম মাহত, প্ৰথম
মাহৰ পঞ্চদশ দিনা ইস্ৰায়েলৰ সন্তান সকলে ৰামিচেচৰ পৰা যাত্ৰা কৰি
নিস্তাৰ-পৰ্ব্বৰ পাছদিনা আটাই মিচৰীয়া লোকৰ সাক্ষাতে যিহোৱাৰ
পৰাক্ৰমী বাহুৰে ওলাই গ'ল। ৪ তেতিয়া মিচৰীয়াসকলে, যিহোৱাই
তেওঁলোকৰ মাজত বধ কৰা তেওঁলোকৰ প্ৰথমে ওপজাবোৰৰ মৰা শৰ
পুতি আছিল, আৰু যিহোৱাই তেওঁলোকৰ দেৱতাবোৰকো দণ্ড দিছিল।
৫ ৰামিচেচৰ পৰা যাত্ৰা কৰি, ইস্ৰায়েলৰ সন্তান সকলে চুক্কোতত ছাউনি
পাতিলে। ৬ আৰু চুক্কোতৰ পৰা যাত্ৰা কৰি, মৰুভূমিৰ দাঁতিত থকা
এথমত ছাউনি পাতিলে। ৭ আৰু এথমৰ পৰা যাত্ৰা কৰি, বাল-চফোনৰ
আগত থকা পী-হহীৰোতলৈ ঘূৰি আহি মিগদোলৰ সন্মুখত ছাউনি
পাতিলে। ৮ তেতিয়া পী-হহীৰোতৰ সন্মুখৰ পৰা যাত্ৰা কৰি, সমুদ্ৰৰ
মাজেদি গৈ মৰুভূমিত সোমাল আৰু এথন অৰণ্যত তিন দিনৰ বাট
যাত্ৰা কৰি, মাৰাত ছাউনি পাতিলে। ৯ আৰু মাৰাৰ পৰা যাত্ৰা কৰি,
এলীম পালে; এলীমত বাৰটা জলৰ ভূমুক আৰু ষাঠী জোপা খাজুৰ গছ
আছিল; তেওঁলোকে সেই ঠাইত ছাউনি পাতিলে। ১০ পাছত এলীমৰ
পৰা যাত্ৰা কৰি, চূফ সাগৰৰ ওচৰত ছাউনি পাতিলে। ১১ আৰু চূফ
সাগৰৰ পৰা যাত্ৰা কৰি, চীন অৰণ্যত ছাউনি পাতিলে। ১২ পাছত চীন
মৰুভূমিৰ পৰা যাত্ৰা কৰি দফকাত ছাউনি পাতিলে। ১৩ আৰু দফকাৰ

পৰা যাত্ৰা কৰি, আলূচত ছাউনি পাতিলে। ১৪ আৰু আলূচৰ পৰা যাত্ৰা
কৰি, ৰফীদীমত ছাউনি পাতিলে; সেই ঠাইত লোকসকলৰ খাবলৈ
পানী নাছিল। ১৫ পাছত তেওঁলোকে ৰফীদীমৰ পৰা যাত্ৰা কৰি, চীনয়
মৰুভূমিত ছাউনি পাতিলে। ১৬ আৰু চীনয় মৰুভূমিৰ পৰা যাত্ৰা কৰি,
কিব্ৰোৎ-হত্তাবাত ছাউনি পাতিলে। ১৭ আৰু কিব্ৰোৎ-হত্তাবাৰ পৰা
যাত্ৰা কৰি, হচেৰোতত ছাউনি পাতিলে। ১৮ আৰু হচেৰোতৰ পৰা
যাত্ৰা কৰি, ৰিৎমাত ছাউনি পাতিলে। ১৯ আৰু ৰিৎমাৰ পৰা যাত্ৰা
কৰি, ৰিম্মোন-পেৰচত ছাউনি পাতিলে। ২০ আৰু ৰিম্মোন-পেৰচৰ
পৰা যাত্ৰা কৰি, লিবনাত ছাউনি পাতিলে। ২১ আৰু লিবনাৰ পৰা
যাত্ৰা কৰি, ৰিচ্ছাত ছাউনি পাতিলে। ২২ আৰু ৰিচ্ছাৰ পৰা যাত্ৰা কৰি,
কহেলাথাত ছাউনি পাতিলে। ২৩ আৰু কহেলাথাৰ পৰা যাত্ৰা কৰি,
চেফৰ পৰ্ব্বতত ছাউনি পাতিলে। ২৪ পাছত তেওঁলোকে চেফৰ পৰ্ব্বতৰ
পৰা যাত্ৰা কৰি, হৰাদাত ছাউনি পাতিলে। ২৫ আৰু হৰাদাৰ পৰা
যাত্ৰা কৰি, মখেলোতত ছাউনি পাতিলে। ২৬ আৰু মখেলোতৰ পৰা
যাত্ৰা কৰি, তহতত ছাউনি পাতিলে। ২৭ আৰু তহতৰ পৰা যাত্ৰা কৰি,
তেৰহত ছাউনি পাতিলে। ২৮ আৰু তেৰহৰ পৰা যাত্ৰা কৰি, মিৎকাত
ছাউনি পাতিলে। ২৯ আৰু মিৎকাৰ পৰা যাত্ৰা কৰি, হচমোনাত ছাউনি
পাতিলে। ৩০ আৰু হচমোনাৰ পৰা যাত্ৰা কৰি, মোচেৰোতত ছাউনি
পাতিলে। ৩১ আৰু মোচেৰোতৰ পৰা যাত্ৰা কৰি, বনেই-যাকনত ছাউনি
পাতিলে। ৩২ আৰু বনেই-যাকনৰ পৰা যাত্ৰা কৰি, হোৰহগ্গিদগদত
ছাউনি পাতিলে। ৩৩ আৰু হোৰহগ্গিদগদৰ পৰা যাত্ৰা কৰি, যটবাথাত
ছাউনি পাতিলে। ৩৪ আৰু যটবাথাৰ পৰা যাত্ৰা কৰি, অব্ৰোণাত ছাউনি
পাতিলে। ৩৫ আৰু অব্ৰোণাৰ পৰা যাত্ৰা কৰি, ইচিয়োন-গেবৰত ছাউনি
পাতিলে। ৩৬ আৰু ইচিয়োন-গেবৰৰ পৰা যাত্ৰা কৰি, ছিন মৰুভূমিত
থকা কাদেচত ছাউনি পাতিলে। ৩৭ আৰু কাদেচৰ পৰা যাত্ৰা কৰি,
ইদোম দেশৰ কাষত থকা হোৰ পৰ্ব্বতত ছাউনি পাতিলে। ৩৮ এই
সময়ত হাৰোণ পুৰোহিত যিহোৱাৰ আজ্ঞা অনুসাৰে হোৰ পৰ্ব্বতত
উঠি, মিচৰৰ পৰা ইস্ৰায়েলৰ সন্তান সকল ওলাই অহাৰ চল্লিশ বছৰৰ
পঞ্চম মাহৰ প্ৰথম দিনা সেই ঠাইতে মৰিল। ৩৯ হোৰ পৰ্ব্বতত হাৰোণ

মৰা সময়ত, তেওঁৰ এশ তেইশ বছৰ বয়স হৈছিল। ৪০ আৰু কনানৰ
দক্ষিণ মৰুভূমিত থকা অৰাদৰ কনানীয়া ৰজাই ইস্ৰায়েলৰ সন্তান
সকল অহা সম্বাদ পালে। ৪১ পাছত তেওঁলোকে হোৰ পৰ্ব্বতৰ পৰা
যাত্ৰা কৰি, চল্মোনাত ছাউনি পাতিলে। ৪২ আৰু চল্মোনাৰ পৰা যাত্ৰা
কৰি, পুনোনত ছাউনি পাতিলে। ৪৩ আৰু পুনোনৰ পৰা যাত্ৰা কৰি,
এবোতত ছাউনি পাতিলে। ৪৪ আৰু এবোতৰ পৰা যাত্ৰা কৰি, মোৱাবৰ
সীমাৰ ওচৰত থকা ইয়ে-অবাৰীমত ছাউনি পাতিলে। ৪৫ আৰু ইয়ীমৰ
পৰা যাত্ৰা কৰি, দীবোন-গাদত ছাউনি পাতিলে। ৪৬ আৰু দীবোন-
গাদৰ পৰা যাত্ৰা কৰি, অল্মোনদিব্লাথয়িমত ছাউনি পাতিলে। ৪৭ আৰু
অল্মোনদিব্লাথয়িমৰ পৰা যাত্ৰা কৰি, নবোৰ সন্মুখত থকা অবাৰীম
পৰ্ব্বতৰ মাজত ছাউনি পাতিলে। ৪৮ আৰু অবাৰীম পৰ্ব্বতবোৰৰ
পৰা যাত্ৰা কৰি, যিৰীহোৰ সন্মুখত থকা যৰ্দ্দনৰ ওচৰত মোৱাবৰ
সমথলত ছাউনি পাতিলে। ৪৯ আৰু তেওঁলোকে যৰ্দ্দনৰ ওচৰত
বৈৎ-যিচীমোতৰ পৰা আবেল-চিটীমলৈকে মোৱাবৰ সমথলত ছাউনি
পাতিলে। ৫০ তেতিয়া যিৰীহোৰ সন্মুখত যৰ্দ্দনৰ ওচৰত মোৱাবৰ
সমথলত যিহোৱাই মোচিক ক'লে, ৫১ "তুমি ইস্ৰায়েলৰ সন্তান সকলক
কোৱা, তেওঁলোকক এই আজ্ঞা দিয়া, 'তোমালোকে যেতিয়া যৰ্দ্দন
পাৰহৈ কনান দেশত সোমাবা, ৫২ তেতিয়া তোমালোকৰ আগৰ পৰা
সেই দেশ নিবাসী সকলো লোকক দূৰ কৰিবা। আৰু তেওঁলোকৰ
সকলো নক্সা কটা শিলবোৰ আৰু আটাই সাঁচত ঢলা প্ৰতিমাবোৰ নষ্ট
কৰিবা আৰু তেওঁলোকৰ আটাই ওখ ঠাইবোৰ উচ্ছন্ন কৰিবা। ৫৩
আৰু তোমালোকে সেই দেশ অধিকাৰ কৰি, তাৰ মাজত বাস কৰিবা;
কিয়নো মই উত্তৰাধিকাৰৰ অৰ্থে সেই দেশ তোমালোকক দিলোঁ।
৫৪ আৰু তোমালোকে চিঠি-খেলেৰে নিজ নিজ গোষ্ঠী অনুসাৰে দেশ
অধিকাৰ কৰি ল'বা; অধিকক অধিক উত্তৰাধীকাৰ আৰু তাকৰক কম
উত্তৰাধীকাৰ দিবা; আৰু যাৰ ভাগ যি ঠাইত পৰে, তাৰ ভাগ সেই
ঠাইতে হ'ব; তোমালোকে নিজ নিজ পিতৃ-বংশ অনুসাৰে তাক অধিকাৰ
কৰি ল'বা। ৫৫ কিন্তু তোমালোকে যদি তোমালোকৰ আগৰ পৰা সেই
দেশ নিবাসীসকলক দূৰ নকৰা, তেন্তে তোমালোকে যিসকলক অৱশিষ্ট

ৰাখিবা, তেওঁলোকেই তোমালোকৰ চকুত কাঁইট আৰু তোমালোকৰ
গাৰ কাষত হুলস্বৰূপ হ'ব আৰু তোমালোকে নিবাস কৰা সেই দেশত
তেওঁলোকে তোমালোকক ক্লেশ দিব। ৫৬ আৰু মই তেওঁলোকলৈ যি
কৰিবৰ মন কৰিছোঁ, তাক তোমালোকলৈ কৰিম'।"

৩৪ পাছত যিহোৱাই মোচিক ক'লে, ২ "তুমি ইস্ৰায়েলৰ সন্তান
সকলক এই আজ্ঞা দিয়া, তেওঁলোকক এই কথা কোৱা, 'যেতিয়া
তোমালোক কনান দেশত সোমাবা, তোমালোকে অধিকাৰৰ অৰ্থে
পাব লগা দেশ এই, চাৰিসীমা অনুসাৰে এয়ে কনান দেশ, ৩ তেতিয়া
ইদোমৰ কাষত থকা ছিন মৰুভূমিৰ পৰা তোমালোকৰ দক্ষিণ অঞ্চল
হ'ব; তোমালোকৰ দক্ষিণ সীমা লৱণ-সমুদ্ৰৰ অন্তৰ পৰা পূৱফালে
হ'ব। ৪ আৰু তোমালোকৰ সীমা পৰ্ব্বত পাৰ হৈ যোৱা অক্ৰব্বীম
নামেৰে ঠাইৰ দক্ষিণে ঘূৰি ছিনলৈকে যাব আৰু কাদেচ-বৰ্ণেয়াৰ
দক্ষিণফালে ওলাব আৰু হচৰ-অদ্দৰ ওলাই অচমোনলৈকে যাব। ৫
পাছত এই সীমা অচমোনৰ পৰা মিচৰ জুৰিলৈ ঘূৰি আহিব আৰু
সমুদ্ৰত এই সীমা শেষ হ'ব। ৬ আৰু তোমালোকৰ পশ্চিম সীমা হ'লে,
মহাসাগৰ আৰু তাৰ অঞ্চল; এয়ে তোমালোকৰ পশ্চিম সীমা হ'ব।
৭ আৰু তোমালোকৰ উত্তৰ সীমা এই; তোমালোকে মহাসাগৰ পৰা
হোৰ পৰ্ব্বত লক্ষ্য কৰিবা। ৮ পাছত হোৰ পৰ্ব্বতৰ পৰা হমাতৰ
প্ৰৱেশস্থানলৈকে ঠিক কৰিবা আৰু তাৰ পৰা সেই সীমা ওলাই চদাদ
পাব। ৯ আৰু সেই সীমা বাহিৰ হৈ জিফ্ৰোণলৈ যাব আৰু হচৰ-
ঐননত তাৰ শেষ হ'ব। এয়ে তোমালোকৰ উত্তৰ সীমা হ'ব। ১০
আৰু তোমালোকে হচৰ-ঐননৰ পৰা চফামলৈকে তোমালোকৰ পূৱ
সীমা ঠিক কৰিবা। ১১ পাছত সেই সীমা চফামৰ পৰা ঐনৰ পূৱফাল
হৈ ৰিব্লালৈ নামি যাব; সেয়ে আৰু নামি কিন্নেৰৎ সাগৰৰ পূৱ চুকত
লাগিব। ১২ পাছত সেই সীমা যৰ্দ্দনলৈ নামি লৱণ-সমুদ্ৰত তাৰ শেষ
হ'ব। সেই চাৰিফালৰ সীমা অনুসাৰেই তোমালোকৰ দেশ হ'ব'।" ১৩
পুনৰায় মোচিয়ে ইস্ৰায়েলৰ সন্তান সকলক এই আজ্ঞা কৰিলে, "যি
দেশ তোমালোকে চিঠি-খেলেৰে অধিকাৰ কৰিবা, যি দেশ যিহোৱাই
ন ফৈদ আৰু আধা ফৈদক দিবলৈ আজ্ঞা কৰিছে, সেয়ে এই দেশ। ১৪

কিয়নো নিজ নিজ পিতৃ-বংশ অনুসাৰে ৰূবেণৰ সন্তান সকলৰ ফৈদ
আৰু নিজ নিজ পিতৃ-বংশ অনুসাৰে গাদৰ সন্তান সকলৰ ফৈদ আৰু
মনচিৰ আধা ফৈদে নিজ নিজ উত্তৰাধিকাৰ ল'লে। ১৫ যিৰীহোৰ
সন্মুখত যৰ্দ্দনৰ পূৱ পাৰত সূৰ্য ওলোৱা ফালে সেই আঢ়ৈ ফৈদে নিজ
নিজ উত্তৰাধিকাৰ ল'লে।" ১৬ পাছত যিহোৱাই মোচিক ক'লে, ১৭
যিসকলে দেশ ভাগ কৰি তোমালোকক দিব, তেওঁলোকৰ নাম এই,
ইলিয়াজৰ পুৰোহিত আৰু নুনৰ পুত্ৰ যিহোচূৱা। ১৮ আৰু উত্তৰাধিকাৰৰ
অৰ্থে দেশ ভাগ কৰিবলৈ প্ৰত্যেক ফৈদৰ এজন এজন অধ্যক্ষ ল'বা।
১৯ সেই লোকসকলৰ নাম এই: যিহূদা ফৈদৰ যিফুন্নিৰ পুত্ৰ কালেব।
২০ আৰু চিমিয়োনৰ সন্তান সকলৰ ফৈদৰ অম্মীহূদৰ পুত্ৰ চমূৱেল।
২১ আৰু বিন্যামীন ফৈদৰ কিশ্লোনৰ পুত্ৰ ইলীদদ। ২২ আৰু দানৰ
সন্তান সকলৰ ফৈদৰ অধ্যক্ষ যগ্লীৰ পুত্ৰ বুক্কী। ২৩ আৰু যোচেফৰ
পুত্ৰসকলৰ মাজত মনচিৰ সন্তান সকলৰ ফৈদৰ অধ্যক্ষ এপোদৰ পুত্ৰ
হন্নীয়েল। ২৪ আৰু ইফ্ৰয়িমৰ সন্তান সকলৰ ফৈদৰ অধ্যক্ষ চিপ্তনৰ পুত্ৰ
কেমূৱেল। ২৫ আৰু জবূলূনৰ সন্তান সকলৰ ফৈদৰ অধ্যক্ষ পৰ্ণাকৰ
পুত্ৰ ইলিচাফন। ২৬ আৰু ইচাখৰৰ সন্তান সকলৰ ফৈদৰ অধ্যক্ষ
অজ্জনৰ পুত্ৰ পল্টীয়েল। ২৭ আৰু আচেৰৰ সন্তান সকলৰ ফৈদৰ
অধ্যক্ষ চলোমীৰ পুত্ৰ অহীহূদ। ২৮ আৰু নপ্তালীৰ সন্তান সকলৰ ফৈদৰ
অধ্যক্ষ অম্মীহূদৰ পুত্ৰ পদহেল। ২৯ কনান দেশত ইস্ৰায়েলৰ সন্তান
সকলৰ কাৰণে উত্তৰাধীকাৰ ভাগ কৰি দিবলৈ যিহোৱাই এই সকলো
লোকক আজ্ঞা কৰিলে।

**৩৫** পাছত যিহোৱাই মোৱাবৰ সমথলত যিৰীহোৰ সন্মুখত যৰ্দ্দনৰ
ওচৰত মোচিক ক'লে, ২ "তুমি ইস্ৰায়েলৰ সন্তান সকলক তেওঁলোকৰ
স্বত্ব থকা আধিপত্যৰ পৰা কেইখনমান নগৰ, বাস কৰিবৰ কাৰণে
লেবীয়াসকলক দিবলৈ আৰু সেই নগৰে সৈতে তাৰ চাৰিওফালে থকা
চৰণী ঠাই তেওঁলোকক দিবলৈ আজ্ঞা দিয়া। ৩ তেতিয়া, তেওঁলোকে
নিবাস কৰিবৰ কাৰণে সেই সকলো নগৰ হ'ব আৰু সেই নগৰৰ
চৰণী ঠাই তেওঁলোকৰ গৰু, মেৰ, মেৰ-ছাগ আদি পশু চৰাবৰ বাবে
হ'ব। ৪ আৰু তোমালোকে যি যি নগৰ লেবীয়াসকলক দিবা, তাৰ

চৰণী ঠাই নগৰৰ চাৰিওফালে গড়ৰ বাহিৰে এক হাজাৰ হাতলৈকে
হ’ব। ৫ আৰু তোমালোকে নগৰৰ বাহিৰে, পূৱদিশে দুই হাজাৰ হাত
আৰু দক্ষিণ দিশে দুই হাজাৰ হাত, পশ্চিম দিশে দুই হাজাৰ হাত
আৰু উত্তৰ দিশে দুই হাজাৰ হাত জুখি দিবা; তাৰ মাজ ঠাইত নগৰ
থাকিব; এয়ে তেওঁলোকৰ নগৰৰ চৰণী ঠাই হ’ব। ৬ তোমালোকে যি
যি নগৰ লেবীয়াসকলক দিবা, সেইবোৰ নগৰৰ মাজত, মানুহ বধী
পলাবৰ কাৰণে ছখন আশ্ৰয় নগৰ হ’ব লাগিব; আৰু তাৰ বাহিৰেও
বিয়াল্লিশখন নগৰ তোমালোকে তেওঁলোকক দিবা। ৭ তোমালোকে
সৰ্ব্বমুঠ আঠচল্লিশখন নগৰ আৰু তাৰ চৰণী ঠায়ে সৈতে দিবা। ৮
আৰু ইস্ৰায়েলৰ সন্তান সকলৰ আধিপত্যৰ পৰা যি যি নগৰ দিবা,
সেইবোৰ নগৰৰ বিষয়ে হ’লে, তোমালোকে অধিকাৰ কৰা অধিক,
কমৰ পৰা কম ল’বা; এইদৰে প্ৰত্যেক ফৈদে নিজে পোৱা নিজ
আধিপত্য অনুসাৰে, নিজ নিজ নগৰবোৰৰ পৰা কেইখনমান নগৰ
লেবীয়াসকলক দিবা।” ৯ পাছত যিহোৱাই মোচিক ক’লে, ১০ “তুমি
ইস্ৰায়েলৰ সন্তান সকলক কোৱা, তেওঁলোকক এই আজ্ঞা দিয়া,
‘তোমালোকে যেতিয়া যৰ্দ্দন পাৰ হৈ কনান দেশত সোমাবা, ১১
তেতিয়া অজ্ঞানত কোনো লোকৰ প্ৰাণ হানি কৰা কোনো নৰ-বধী
পলাই যাবলৈ, তোমালোকে তোমালোকৰ কাৰণে কেইখনমান নগৰ
আশ্ৰয়-নগৰ নিৰূপণ কৰিবা। ১২ আৰু মানুহ বধীটো বিচাৰৰ অৰ্থে
সমাজৰ আগলৈ নৌ আহোঁতেই যেন নমৰে, এই কাৰণে সেই নগৰ
প্ৰতিকাৰ সাধকৰ হাতৰ পৰা তোমালোক ৰক্ষা পোৱা আশ্ৰয়স্থান
হ’ব। ১৩ আৰু যি যি নগৰ তোমালোকে দিবা, সেইবোৰৰ মাজৰ
তোমালোকৰ ছখন আশ্ৰয়-নগৰ হ’ব। ১৪ তোমালোকে তাৰ মাজৰ
তিনিখন নগৰ যৰ্দ্দনৰ পূব পাৰত আৰু আন তিনিখন কনান দেশত
দিবা। সেইবোৰ আশ্ৰয়-নগৰ হ’ব। ১৫ যিকোনোৱে অজ্ঞানত মানুহক
বধ কৰে, সি যেন সেই ঠাইলৈ পলাব পাৰে, এই কাৰণে ইস্ৰায়েলৰ
সন্তান সকললৈ, বিদেশীলৈ আৰু তেওঁলোকৰ মাজত প্ৰবাস কৰা
লোকলৈ সেই ছখন নগৰ আশ্ৰয়স্থান হ’ব। ১৬ কিন্তু যদি সি লোহাৰ
অস্ত্ৰেৰে তাক মৰাকৈ মাৰে, তেন্তে সি মানুহ বধী; তেনে মানুহবধীৰ

অবশ্যে প্ৰাণদণ্ড হ’ব। ১৭ নাইবা যিহেৰে মানুহ মাৰিব পাৰে, সি
হাতত এনে শিল লৈ যদি তাক মৰাকৈ মাৰে, তেন্তে সি মানুহ বধী;
অৱশ্যে তেনে মানুহ বধীৰ প্ৰাণদণ্ড হ’ব। ১৮ নাইবা যিহৰ দ্বাৰাই
মৰিব পাৰে, এনে কাঠৰ বস্তু লৈ যদি তাক মৰাকৈ মাৰে, তেন্তে সি
মানুহ বধী; অৱশ্যে তেনে মানুহ বধীৰ প্ৰাণদণ্ড হ’ব। ১৯ ৰক্তপাতৰ
প্ৰতিকাৰসাধকে নিজে তেনে মানুহ বধীক বধ কৰিব পাৰিব; সি তাক
লগ পালেই বধ কৰিব পাৰিব। ২০ আৰু যদি সি হিংসা কৰি তাক
আঘাত কৰে, বা খাপ দি থাকি তাৰ ওপৰলৈ কিবা বস্তু দলি মাৰে আৰু
সি যদি তাতে মৰে, ২১ নাইবা শক্ৰভাব কৰি তাক হাতেৰে মৰাকৈ
মাৰে, তেন্তে, যিজনে তাক মাৰে, অৱশ্যে তাৰ প্ৰাণদণ্ড হ’ব; সি মানুহ
বধী; ৰক্তপাতৰ প্ৰতিকাৰসাধকে তেনে মানুহ বধীক লগ পালেই তাক
বধ কৰিব পাৰিব। ২২ কিন্তু যদি শক্ৰভাব নকৰাকৈ অকস্মাতে তাক
আঘাত কৰে, বা খাপ দি নথকাকৈ তাৰ গালৈ কিবা দলি মাৰে, ২৩ বা
যিহৰ দ্বাৰাই মৰিব পাৰে, এনে শিল তাৰ ওপৰত তাক নেদেখাকৈ
পেলায় আৰু তাতে সি মৰে, তথাপি সি তাৰ শক্ৰ বা অনিষ্টকাৰী
নহ’ব। ২৪ তেতিয়া সমাজে সেই প্ৰহাৰকৰ আৰু ৰক্তপাতৰ প্ৰতিকাৰ
সাধকৰ মাজত এই শাসন অনুসাৰে বিচাৰ কৰিব। ২৫ আৰু সমাজে
ৰক্তপাতৰ প্ৰতিকাৰ সাধকৰ হাতৰ পৰা সেই মানুহ বধীক উদ্ধাৰ
কৰিব; আৰু সি যি ঠাইলৈ পলাইছিল, নিজৰ সেই আশ্ৰয় নগৰলৈ
সমাজে তাক পুনৰায় পঠাই দিব; আৰু পবিত্ৰ তেলেৰে অভিষিক্ত হোৱা
প্ৰধান পুৰোহিতৰ মৃত্যু নহয়মানলৈকে সি সেই নগৰতে থাকিব। ২৬
কিন্তু এই মানুহ বধী যদি কোনো সময়ত পলাই যোৱা আশ্ৰয় নগৰৰ
সীমাৰ বাহিৰ হয়, ২৭ আৰু ৰক্তপাতৰ প্ৰতিকাৰ সাধকে আশ্ৰয় নগৰৰ
সীমাৰ বাহিৰে তাক পাই যদি বধ কৰে, তেন্তে সি ৰক্তপাতৰ দোষী
নহ’ব। ২৮ কিয়নো প্ৰধান পুৰোহিতৰ মৃত্যু নোহোৱালৈকে সি নিজৰ
আশ্ৰয় নগৰত থাকিব লাগিছিল; কিন্তু প্ৰধান পুৰোহিতৰ মৃত্যুৰ পাছত
সেই মানুহ বধী নিজ আধিপত্যৰ দেশলৈ উলটি যাব পাৰিব। ২৯ আৰু
তোমালোকৰ পুৰুষানুক্ৰমে, তোমালোকে নিবাস কৰা সকলো ঠাইতে
এয়ে তোমালোকৰ বিচাৰৰ বিধি হ’ব। ৩০ যি মানুহে কোনো লোকক

বধ কৰে, সেই মানুহ বধীক সাক্ষীৰ মুখেই বধ কৰা হ'ব; কিন্তু এজন
সাক্ষীৰ কথা কোনো লোকৰ বিৰুদ্ধে প্ৰাণদণ্ডৰ বাবে গ্ৰাহ্য নহ'ব। ৩১
আৰু প্ৰাণদণ্ডৰ যোগ্য মানুহ বধীৰ প্ৰাণৰ বাবে তোমালোকে কোনো
প্ৰায়শ্চিত্ত নল'বা; কিন্তু তাৰ প্ৰাণদণ্ড অৱশ্যে হ'ব। ৩২ আৰু যি মানুহ
আশ্ৰয় নগৰলৈ পলাই গ'ল, সেই মানুহ পুৰোহিত নৌ মৰোঁতেই দেশত
বাস কৰিবলৈ উলটি আহিবৰ বাবে প্ৰায়শ্চিত্ত নল'বা। ৩৩ এইদৰে,
তোমালোকে থকা দেশ অশুচি নকৰিবা; কিয়নো তেজে দেশ অশুচি
কৰে আৰু তাত যি ৰক্তপাত কৰা হয় তাৰ কাৰণে ৰক্তপাতৰ বিনে
দেশৰ প্ৰায়শ্চিত্ত হ'ব নোৱাৰে। ৩৪ এই হেতুকে, তোমালোকে নিবাস
কৰা যি দেশৰ মাজত মই বাস কৰোঁ, সেই দেশ তোমালোকে অশুচি
নকৰিবা; কিয়নো মই যিহোৱাই ইস্ৰায়েলৰ মাজত বাস কৰোঁ'।"

**৩৬** পাছত যোচেফৰ সন্তান সকলৰ গোষ্ঠীবোৰৰ মাজৰ মনচিৰ
নাতিয়েক মাখীৰৰ পুত্ৰ গিলিয়দৰ গোষ্ঠীৰ পিতৃ-বংশৰ মূল ব্যক্তিসকলে
মোচিৰ আৰু ইস্ৰায়েলৰ সন্তান সকলৰ পিতৃ-বংশৰ মূল ব্যক্তি
যি অধ্যক্ষসকল, ২ তেওঁলোকৰ ওচৰলৈ আহি এই কথা ক'লে,
"ইস্ৰায়েলৰ সন্তান সকলক আধিপত্যৰ অৰ্থে এই দেশ চিঠি খেলাই
দিবলৈ, যিহোৱাই মোৰ প্ৰভুক আজ্ঞা কৰিলে আৰু আমাৰ ভাই
চলফাদৰ আধিপত্য তেওঁৰ জীয়েকসকলক দিবলৈ মোৰ প্ৰভুৱে
যিহোৱাৰ পৰা আজ্ঞা পালে। ৩ কিন্তু ইস্ৰায়েলৰ সন্তান সকলৰ
আন ফৈদৰ কোনো লোকেৰে সৈতে যদি তেওঁলোক বিয়া হয় তেন্তে
আমাৰ পিতৃৰ আধিপত্যৰ পৰা তেওঁলোকৰ অধিকাৰ কটা যাব আৰু
তেওঁলোক যি ফৈদৰ হ'ব, সেই ফৈদৰ উত্তৰাধিকাৰৰ লগত তাক
যোগ কৰা হ'ব; এইদৰে তেওঁক আমাৰ উত্তৰাধিকাৰৰ ভাগৰ পৰা
কটা যাব। ৪ আৰু যেতিয়া ইস্ৰায়েলৰ সন্তান সকলৰ যোৱেল বছৰ
হ'ব, তেতিয়া তেওঁলোক যি ফৈদৰ হ'ব, সেই ফৈদৰ উত্তৰাধিকাৰৰ
লগত তেওঁলোকৰ উত্তৰাধীকাৰ যোগ কৰা হ'ব; এইদৰে আমাৰ
পিতৃৰ ফৈদৰ ভাগৰ পৰা তেওঁলোকৰ উত্তৰাধীকাৰ কটা যাব।" ৫
তাতে মোচিয়ে যিহোৱাৰ বাক্য অনুসাৰে ইস্ৰায়েলৰ সন্তান সকলক
এই আজ্ঞা কৰিলে, "যোচেফৰ সন্তান সকলৰ ফৈদে ঠিক কৈছে।

৬ যিহোৱাই চলফাদৰ জীয়েকসকলৰ বিষয়ে এই আজ্ঞা কৰিছে,
'তেওঁলোকে যাক ভাল পায়, তাৰে সৈতে বিয়া হ'ব পাৰিব কিন্তু কেৱল
নিজৰ পিতৃ-বংশৰ কোনো গোষ্ঠীৰ মাজতহে বিয়া হ'ব পাৰিব।' ৭
এইদৰে ইস্রায়েলৰ সন্তান সকলৰ কোনো আধিপত্য এক ফৈদৰ পৰা
আন ফৈদলৈ নাযাব; কিয়নো ইস্রায়েলৰ সন্তান সকলৰ প্রতিজনে নিজ
নিজ পিতৃ-বংশৰ আধিপত্যতে থাকিব লাগিব। ৮ আৰু ইস্রায়েলৰ
সন্তান সকলে প্রতিজনে যেন নিজ নিজ পিতৃৰ আধিপত্য ভোগ কৰে,
এই কাৰণে ইস্রায়েলৰ সন্তান সকলৰ কোনো ফৈদৰ মাজত আধিপত্য
পোৱা প্রতিজনী জীয়েক নিজ পিতৃ-বংশৰ গোষ্ঠীৰ মাজৰ কোনো
পুৰুষে সৈতে বিয়া হ'ব লাগিব। ৯ তেতিয়া এক ফৈদৰ পৰা আন
ফৈদলৈ কোনো আধিপত্য নাযাব; কিয়নো ইস্রায়েলৰ সন্তান সকলৰ
প্রত্যেক ফৈদ নিজ নিজ আধিপত্যতে থাকিব লাগিব।" ১০ চলফাদৰ
জীয়েকসকলে মোচিক দিয়া যিহোৱাৰ আজ্ঞা অনুসাৰে কাৰ্য কৰিলে।
১১ কিয়নো মহলা, তিৰ্চা হগ্লা, মিল্কা আৰু নোৱা, চলফাদৰ এই জীয়েক
কেইজনীয়ে নিজৰ বৰ বাপেক কি দদায়েকৰ পুতেকসকলৰ সৈতে
বিয়া হ'ল। ১২ যোচেফৰ পুত্ৰ মনচিৰ সন্তান সকলৰ গোষ্ঠীৰ মাজত
তেওঁলোকৰ বিয়া হোৱাত, তেওঁলোকৰ আধিপত্য, তেওঁলোকৰ পিতৃ-
গোষ্ঠীৰ ফৈদতেই থাকিল। ১৩ যিহোৱাই যিৰীহোৰ সন্মুখত যৰ্দ্দনৰ
ওচৰত মোৱাবৰ সমথলত মোচিৰ দ্বাৰাই ইস্রায়েলৰ সন্তান সকলক
এই সকলো আজ্ঞা আৰু শাসন-প্রণালী দিলে।

# দ্বিতীয় বিবৰণ

১ মোচিয়ে যৰ্দ্দন নদীৰ সিপাৰে মৰুভূমি অঞ্চলত সকলো
ইস্রায়েলীয়াসকলক এইবোৰ কথা কৈছিল। এই ঠাই চুফৰ সন্মুখত
আছিল। এফালে পাৰণ মৰুভূমি আৰু আনফালে তোফল, লাবন,
হচেৰোত আৰু দী-জাহব নগৰবোৰৰ মাজত যৰ্দন নদীৰ উপত্যকাৰ
সমথল ভূমিত তেওঁ এই বাৰ্তা দিছিল। ২ হোৰেব পাহাৰৰ পৰা
চেয়ীৰ পৰ্ব্বতমালাৰ পথেদি কাদেচ-বৰ্ণেয়ালৈ যাবলৈ এঘাৰ দিন
লাগে। ৩ ইস্রায়েলীয়াসকলে মিচৰ দেশ ত্যাগ কৰাৰ চল্লিশ বছৰ হ'ল।
সেই বছৰৰ এঘাৰ মাহৰ প্ৰথম দিনা যিহোৱাই ইস্রায়েলীয়া সকলৰ
সম্পৰ্কে মোচিক যি সকলো আজ্ঞা দিছিল, সেই সকলো কথা তেওঁ
তেওঁলোকৰ ওচৰত প্ৰকাশ কৰিলে। ৪ যিহোৱাই ইমোৰীয়াসকলৰ
ৰজা হিচবোন নিবাসী চীহোনক আৰু অষ্টাৰোৎ নিবাসী বাচানৰ
ৰজা ওগক ইদ্ৰেয়ীত বধ কৰাৰ পাছত মোচিয়ে এই কথা ক'লে।
৫ বিধানৰ এই সকলোবোৰ কথা মোচিয়ে যৰ্দ্দনৰ সিপাৰে মোৱাব
দেশত ঘোষণা কৰিবলৈ আৰম্ভ কৰিলে। ৬ তেওঁ ক'লে, হোৰেব
পাহাৰত, "আমাৰ ঈশ্বৰ যিহোৱাই আমাক কৈছিল, 'তোমালোকে
যথেষ্ট কাল এই পাহাৰত বাস কৰিছা। ৭ এতিয়া তোমালোকে ঘূৰি
যাত্ৰা কৰা। ইমোৰীয়াসকলে বাস কৰা পাহাৰীয়া অঞ্চললৈ যোৱা।
তাৰ ওচৰ পাজৰৰ সকলো ঠাইলৈকে যোৱা। তাৰ ওচৰৰ যৰ্দন
নদীৰ উপত্যকাৰ সমথল, পাহাৰীয়া অঞ্চল, নিম্ন ভূমি অঞ্চল, নেগেভ
আৰু সমুদ্ৰতীৰলৈ যোৱা। কনানীয়াসকলৰ দেশৰ লগতে লিবানোনৰ
পাহাৰলৈকে ইউফ্ৰেটিচ নামৰ মহানদী পৰ্যন্ত যোৱা। ৮ শুনা, মই
সেই দেশ তোমালোকৰ আগত ৰাখিছোঁ; মই যিহোৱাই তোমালোকৰ
পূৰ্বপুৰুষ অব্ৰাহাম, ইচহাক আৰু যাকোবলৈ আৰু পাছত তেওঁলোকৰ
ভাবী-বংশলৈকো যি দেশ দিম বুলি শপত খাইছিলো, তোমালোকে গৈ
তাক অধিকাৰ কৰা।'" ৯ সেই সময়ত মই আপোনালোকক কৈছিলোঁ,
"মোৰ পক্ষে আপোনালোকৰ ভাৰ অকলে বৈ নিয়াটো সম্ভৱ নহয়। ১০
আপোনালোকৰ ঈশ্বৰ যিহোৱাই আপোনালোকৰ জনসংখ্যা অধিককৈ
বৃদ্ধি কৰিলে আৰু চাওঁক, আজি আপোনালোক আকাশৰ তৰাৰ নিচিনা

অসংখ্য হ’ল। ১১ আপোনালোকৰ পূৰ্বপুৰুষ সকলৰ ঈশ্বৰ যিহোৱাই বৰ্তমানতকৈ আপোনালোকৰ সংখ্যা আৰু হাজাৰ গুণে বৃদ্ধি কৰক; তেওঁৰ প্ৰতিজ্ঞা অনুসাৰেই আপোনালোকক তেওঁ আশীৰ্ব্বাদ কৰক।
১২ কিন্তু মই অকলে কেনেকৈ আপোনালোকৰ সকলো বাদ-বিবাদ মীমাংসা কৰাৰ ভাৰ আৰু বোজা বহন কৰিম? ১৩ আপোনালোকে আপোনালোকৰ প্ৰত্যেকটো ফৈদৰ পৰা কেইজনমান জ্ঞানৱান, বিজ্ঞ আৰু সুখ্যাতিপূৰ্ণ লোকক বাচি লওঁক; মই আপোনালোকৰ ওপৰত তেওঁলোকক মুখিয়াল পাতিম।” ১৪ আপোনালোকে তাৰ উত্তৰত মোক কৈছিল, “আপুনি যি কথা কৈছে তাকে কৰা ভাল।”
১৫ সেয়ে মই আপোনালোকৰ ফৈদবোৰৰ পৰা জ্ঞানৱান আৰু সুখ্যাতিপূৰ্ণ লোকসকলক লৈ আপোনালোকৰ ওপৰত মুখিয়াল পাতিলো। প্ৰত্যেক ফৈদৰ পৰা হাজাৰপতি, শতপতি, পঞ্চাশপতি, দশপতি আৰু অন্যান্য পদাধিকাৰী ব্যক্তিক নিযুক্ত কৰিলোঁ। ১৬
আপোনালোকৰ বিচাৰকসকলক সেই সময়ত মই এই আজ্ঞা দিছিলোঁ, “আপোনালোকে বাদ-বিবাদৰ সময়ত ভাইসকলৰ দুই পক্ষৰ কথা শুনি ন্যায়ভাৱে বিচাৰ কৰিব; সেই বিবাদ ইস্ৰায়েলীয়া ভাইসকলৰ মাজতেই হওঁক বা এজন ইস্ৰায়েলীয়া আৰু ভিন্ন জাতিৰ বিদেশীৰ মাজতেই হওঁক। ১৭ বিবাদৰ সময়ত আপোনালোকে কাৰো পক্ষ নল’ব আৰু ডাঙৰ-সৰু সকলোৰে কথা সমানে শুনিব। বিচাৰৰ কাৰ্য প্ৰকৃততে ঈশ্বৰৰ; সেয়ে আপোনালোকে মানুহৰ মুখলৈ চাই ভয় নাখাব। যদি কোনো বিবাদ আপোনালোকৰ কাৰণে কঠিন যেন লাগে, তেন্তে সেই বিচাৰ মোৰ ওচৰলৈ আনিব, মই সেই বিচাৰ কৰিম।” ১৮ আপোনালোকে কৰিবলগীয়া সকলোবোৰেই মই তেতিয়া আপোনালোকক আজ্ঞা দিছিলোঁ। ১৯ ইয়াৰ পাছত আমাৰ ঈশ্বৰ যিহোৱাৰ আজ্ঞা অনুসাৰে আমি হোৰেব পাহাৰ এৰি ইমোৰীয়াসকলৰ পাহাৰীয়া অঞ্চলৰ অভিমুখে যাত্ৰা কৰিছিলোঁ। আপোনালোকে যি ডাঙৰ আৰু বিপদসংকুল মৰুভূমি দেখিছিল, তাৰ মাজেদি আমি গৈ কাদেচ-বৰ্ণেয়া পাইছিলোঁ। ২০ তাৰ পাছত মই আপোনালোকক কৈছিলোঁ, “আপোনালোক ইমোৰীয়া পাহাৰী অঞ্চল আহি পালে।

আমাৰ ঈশ্বৰ যিহোৱাই আমাক এই দেশ দিবলৈ গৈ আছে। ২১ চাওঁক,
আপোনালোকৰ ঈশ্বৰ যিহোৱাই দিয়া গোটেই দেশ আপোনালোকৰ
আগত আছে। আপোনালোকৰ পূৰ্বপুৰুষসকলৰ ঈশ্বৰ যিহোৱাৰ কথা
অনুসাৰে আপোনালোকে গৈ দেশখন অধিকাৰ কৰক; আপোনালোকে
ভয় নকৰিব, নিৰাশ নহ’ব।” ২২ তেতিয়া আপোনালোক সকলোৱে
আহি মোক কৈছিলে, “কেইজনমান লোকক আগেয়ে পঠাই দিয়া হওঁক
যাতে তেওঁলোকে দেশখন চাই মেলি আহি আমাক কব পাৰে কোন
পথেৰে গৈ আমি আক্ৰমণ কৰা উচিত আৰু কোন কোন নগৰবোৰ
আমি সন্মুখত পাম।” ২৩ আপোনালোকৰ এই প্ৰস্তাৱ মোৰ ভাল
লাগিছিল; সেয়ে মই আপোনালোকৰ প্ৰত্যেক ফৈদৰ পৰা এজনকৈ
মুঠ বাৰজন লোকক বাচি লৈছিলোঁ। ২৪ তেওঁলোকে পাৰ্বত্য দেশৰ
ওপৰলৈ উঠি গৈছিল আৰু ইষ্কোলৰ উপত্যকালৈ আহি ভালদৰে
দেশখন অনুসন্ধান কৰি আহিছিল। ২৫ তেওঁলোকে হাতত সেই
দেশৰ কিছু কিছু ফল লৈ নামি আহি আমাক কৈছিল, “আমাৰ ঈশ্বৰ
যিহোৱাই যি দেশ আমাক দিছে, ই সঁচাকৈয়ে এক উত্তম দেশ।”
২৬ কিন্তু আপোনালোকে সেই দেশ আক্ৰমণ কৰিবলৈ অস্বীকাৰ
কৰিছিল। আপোনালোকে আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ আজ্ঞাৰ
বিৰুদ্ধাচৰণ কৰিছিল। ২৭ আপোনালোকে আপোনালোকৰ তম্বুত
আপত্তি দৰ্শাই কৈছিল, “যিহোৱাই আমাক ঘৃণা কৰে। সেয়ে তেওঁ
আমাক মিচৰ দেশৰ পৰা বাহিৰ কৰি আনিছিল যাতে ইমোৰীয়াসকলৰ
শক্তিৰ দ্বাৰা আমি পৰাজিত হৈ সম্পূৰ্ণ বিনষ্ট হওঁ। ২৮ এতিয়া আমি
ক’লৈ যাব পাৰোঁ? ভাইসকলে আমাৰ মন ভাঙি দিলে। কিয়নো
তেওঁলোকে কৈছিল, ‘সেই ঠাইৰ অধিবাসীসকল আমাৰ তুলনাত
অতিশয় ডাঙৰ আৰু দীঘল; তেওঁলোকৰ নগৰবোৰো ডাঙৰ ডাঙৰ আৰু
তাৰ চৌদিশ আকাশ লঙ্ঘা প্ৰাচীৰেৰে আবৃত। তাত বাজেও, আমি
সেই ঠাইত অনাকীয়াৰ বংশধৰ দৈত্যকায় লোকসকলকো দেখিলোঁ।’”
২৯ তেতিয়া মই আপোনালোকক কৈছিলোঁ, “আপোনালোকে ভয়
নকৰিব, সেই লোকসকললৈ ভয় নকৰিব। ৩০ আপোনালোকৰ ঈশ্বৰ
যিহোৱা আপোনালোকৰ আগে আগে আছে আৰু তেওঁ আপোনালোকৰ

হৈ যুদ্ধ কৰিব। মিচৰ দেশত আপোনালোকৰ চকুৰ সন্মুখত তেওঁ
যি কৰিছিল, ইয়াতো তেওঁ সেই একে কাৰ্য কৰিব। ৩১ পুনৰ
আপোনালোকে মৰুভূমিত দেখিছিল যে, কেনেদৰে আপোনালোকৰ
ঈশ্বৰ যিহোৱাই সন্মুখত থাকি আপোনালোকক লৈ গৈছিল; যেনেকৈ
পিতৃয়ে পুত্ৰক কোলাত তুলি লৈ যায়, তেনেকৈয়ে আপোনালোক
যোৱা সকলো ঠাইতে, গোটেই পথত এই ঠাই নোপোৱালৈকে
আপোনালোকৰ ঈশ্বৰ যিহোৱাই আপোনালোকক লৈ আনিলে।” ৩২
তথাপিও ইমানতো আপোনালোকে আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ
ওপৰত ভাৰসা নকৰিলে। ৩৩ যিহোৱা! যি জন আপোনালোকৰ
যাত্ৰাপথত আগে আগে গৈছিল, যাতে তেওঁ আপোনালোকৰ কাৰণে
শিবিৰ পাতিবৰ ঠাই বিচাৰি পায় আৰু যি পথেদি আপোনালোক যোৱা
উচিত, সেই পথ দেখুৱাই আপোনালোকক লৈ যাবলৈ তেঁৱেই ৰাতি
অগ্নিৰ মাজেৰে আৰু দিনত মেঘৰ মাজেদি আপোনালোকৰ আগে
আগে গৈছিল। ৩৪ আপোনালোকৰ কথা শুনি যিহোৱাই ক্ৰোধিত
হৈ শপত খাই এইদৰে কৈছিল, ৩৫ “যি উত্তম দেশ তোমালোকৰ
পূৰ্বপুৰুষসকলক দিম বুলি মই শপত খাইছিলোঁ, নিশ্চয়কৈ এই দুষ্ট
বংশৰ লোকসকলৰ মাজৰ এজনেও সেই উত্তম দেশ দেখা নাপাব।
৩৬ কেৱল যিফুন্নিৰ পুত্ৰ কালেবে তাক দেখিব; কালেবে যি ঠাইৰ
মাজেদি খোজ কাঢ়ি গৈছিল, সেই ভূমি মই তেওঁক আৰু তেওঁৰ
উত্তৰপুৰুষসকলক দিম। কাৰণ তেওঁ যিহোৱাৰ পথত সম্পুৰ্ণভাৱে
চলিলে।” ৩৭ আপোনালোকৰ বাবে যিহোৱাই মোৰ ওপৰতো ক্ৰুদ্ধ হৈ
কৈছিল, “তুমিও সেই ঠাইত সোমাবলৈ নাপাবা। ৩৮ কিন্তু পৰিচাৰক
হিচাবে তোমাৰ আগত থকা নুনৰ পুত্ৰ যিহোচূৱাইহে সেই দেশত
প্ৰৱেশ কৰিব; তুমি যিহোচূৱাক উৎসাহিত কৰিবা, কিয়নো দেশখন
অধিকাৰ কৰিবৰ কাৰণে তেওঁৱেই ইস্ৰায়েলীয়াসকলক নেতৃত্ব দি
আগবঢ়াই নিব। ৩৯ তাৰোপৰি তোমালোকে কৈছিলা, তোমালোকৰ
সৰু সৰু ল’ৰা–ছোৱালীবোৰ ক্ষতিগ্ৰস্ত হ’ব; কিন্তু শিশুবোৰে সেই
দেশত প্ৰৱেশ কৰিব। কাৰণ, সিহঁতৰ ভাল বা বেয়া বুজাৰ জ্ঞান
বৰ্তমানো হোৱা নাই। সিহঁতকেই মই এই দেশ দিম আৰু সিহঁতেইহে

তাক অধিকাৰ কৰিব। ৪০ কিন্তু তোমালোকে হ'লে চূফ সাগৰলৈ
যোৱা বাটেদি ঘূৰি মৰুভূমিৰ ফালে যাত্ৰা কৰা।" ৪১ যিহোৱাৰ এই
কথা শুনি আপোনালোকে মোক কৈছিল, "আমি যিহোৱাৰ বিৰুদ্ধে
পাপ কৰিলোঁ; আমি যুদ্ধ কৰিবলৈ উঠি যাম আৰু আমি আমাৰ ঈশ্বৰ
যিহোৱাই দিয়া আজ্ঞা অনুসাৰেই সকলো কাৰ্য কৰিম।" এই বুলি
আপোনালোক প্ৰতিজনে যুদ্ধৰ অস্ত্ৰ-শস্ত্ৰ লৈ পাৰ্বত্য অঞ্চল আক্ৰমণ
কৰিবলৈ যুগুত হৈছিল। ৪২ তেতিয়া যিহোৱাই মোক কৈছিল, "তুমি
তেওঁলোকক কোৱা, 'তোমালোকে আক্ৰমণ নকৰিবা আৰু যুদ্ধও
নকৰিবা। কিয়নো মই তোমালোকৰ লগত নাথাকিম'; সেয়ে যদি
তোমালোক যোৱা, তোমালোক শত্ৰুবোৰৰ হাতত পৰাজিত হ'বা।"
৪৩ মই আপোনালোকক সেই কথা জনাইছিলোঁ, কিন্তু আপোনালোকে
তাক নুশুনিলে। আপোনালোকে যিহোৱাৰ আজ্ঞাৰ বিৰুদ্ধাচৰণ কৰিলে;
কিন্তু আপোনালোক অভিমানী লোক আৰু পাৰ্বত্য অঞ্চললৈ উঠি
গৈছিল। ৪৪ সেই পৰ্ব্বতত বাসকৰা ইমোৰীয়াসকল আপোনালোকৰ
বিৰুদ্ধে ওলাই আহিছিল আৰু মৌ-মাখিৰ দৰে আপোনালোকক খেদি
পঠাইছিল। চেয়ীৰত হৰ্মালৈকে আপোনালোকক আঘাত কৰি খেদি
নিছিল। ৪৫ তেতিয়া আপোনালোকে উলটি আহি যিহোৱাৰ আগত
কান্দিছিল, কিন্তু যিহোৱাই আপোনালোকৰ ক্ৰন্দন নুশুনিলে; তেওঁ
আপোনালোকৰ ক্ৰন্দনলৈ কাণ নিদিলে। ৪৬ এইদৰে আপোনালোক
কাদেচত অনেক দিন ধৰি আছিল আৰু তাতেই দীৰ্ঘদিন অতিবাহিত
কৰিছিল।

**২** যিহোৱাই যেনেকৈ আমাক নিৰ্দেশ দিছিল, সেইদৰে আমি ঘূৰি চূফ
সাগৰৰ বাটেদি মৰুভূমিলৈ যাত্ৰা কৰিছিলোঁ আৰু বহুদিন ধৰি আমি
চেয়ীৰ পৰ্বতমালাত ঘূৰি ফুৰিছিলোঁ। ২ তাৰ পাছত যিহোৱাই মোক
কৈছিল, ৩ "তোমালোকে অনেক দিন ধৰি এই পাহাৰী এলেকাত
ঘূৰিলা; এতিয়া উত্তৰ ফালে ঘূৰা। ৪ তুমি লোকসকলক এই আজ্ঞা
দিয়া, 'চেয়ীৰত বাস কৰা তোমালোকৰ ভাই এচৌৰ বংশধৰসকলৰ
সীমাৰ ওচৰেদি এতিয়া তোমালোক যাব লাগে; তাতে তেওঁলোকে
তোমালোকলৈ ভয় কৰিব; তোমালোকক দেখি তেওঁলোক আতঙ্কিত

হ’ব; সেয়ে তোমালোক সাৱধানে থাকিবা। ৫ তোমালোকে এচৌৰ বংশধৰৰ সৈতে যুদ্ধ নকৰিবা; কিয়নো তেওঁলোকৰ দেশৰ কোনো অংশই মই তোমালোকক নিদিওঁ; এনেকি ভৰি থব পৰা ঠাইৰ পৰিমাণো নিদিওঁ। কাৰণ চেয়ীৰ এই পাৰ্বত্য অঞ্চল মই এচৌক অধিকাৰ কৰিবলৈ দিলোঁ। ৬ তোমালোকে আহাৰৰ কাৰণে তেওঁলোকৰ পৰা ধন দি আহাৰ কিনি খাবা; সেইদৰে পানীও তেওঁলোকৰ পৰা কিনি পান কৰিবা। ৭ কিয়নো, মনত ৰাখিবা যে তোমালোকৰ ঈশ্বৰ যিহোৱাই তোমালোকৰ হাতে কৰা সকলো কাৰ্যত তোমালোকক আশীৰ্ব্বাদ কৰিছে; এই বৃহৎ মৰুভূমিৰ মাজেদি তোমালোকে খোজকাঢ়ি ফুৰা সময়ৰ ঘটনাবোৰ তেওঁৰ অৱগত। এই চল্লিশটা বছৰ তোমালোকৰ ঈশ্বৰ যিহোৱা তোমালোকৰ লগত আছে আৰু তোমালোকৰ একোৰে অভাৱ হোৱা নাই।” ৮ সেয়ে আমি আমাৰ ভাই চেয়ীৰৰ বাসিন্দা এচৌৰ বংশধৰৰ ওচৰেদি পাৰ হৈ আহিলোঁ। আমি এলৎ ও ইচিয়োন-গেবৰ নগৰৰ পৰা অৰাবাৰ বাট ত্যাগ কৰি মোৱাবৰ মৰুভূমিলৈ যোৱা পথৰ ফালে ঘূৰিছিলোঁ। ৯ তাৰ পাছত যিহোৱাই মোক কৈছিল, “তোমালোকে মোৱাবীয়াসকলক বিৰক্ত নকৰিবা। তেওঁলোকৰ বিৰুদ্ধে যুদ্ধ নকৰিবা। তেওঁলোকৰ দেশৰ কোনো অংশই মই তোমালোকক অধিকাৰ কৰিবলৈ নিদিওঁ; কাৰণ, তেওঁলোক লোটৰ বংশধৰ আৰু মই তেওঁলোকক অধিকাৰৰ অৰ্থে আৰ নগৰ দিলোঁ।” ১০ পূৰ্বে এই ঠাইত এমীয়াসকলে বাস কৰিছিল; এমীয়া জাতিৰ লোকসকল আছিল শক্তিশালী, সংখ্যাত অধিক আৰু অনাকীয়াসকলৰ দৰে দীৰ্ঘকায়। ১১ অনাকীয়াসকলৰ দৰে এমীয়সকলকো ৰফায়ীয়া বুলি গণিত কৰা হৈছিল; কিন্তু মোৱাবীয়াসকলে তেওঁলোকক এমীয়া বুলি কয়। ১২ চেয়ীৰতো পূৰ্বে হোৰীয়াসকলে বাস কৰিছিল, কিন্তু পাছত এচৌৰ বংশধৰসকলে তেওঁলোকৰ সেই ঠাইত আধিপত্য বিস্তাৰ কৰিলে। যিহোৱাই অধিকাৰ সূত্ৰে ইস্ৰায়েলীয়াসকলক যি দেশ দিছিল তাত তেওঁলোকে যি কাৰ্য কৰিছিল, এচৌৰ বংশধৰসকলেও সেই একে কাৰ্য কৰিছিল। তেওঁলোকৰ আগৰ পৰা হোৰীয়াসকলক বিনষ্ট কৰি তেওঁলোকে সেই ঠাইত নিজে বাস কৰিবলৈ ধৰিলে। ১৩ পাছত

যিহোৱাই কৈছিল, “এতিয়া তোমালোকে উঠি জেৰদ জুৰি পাৰ হৈ যোৱা।” তেতিয়া আমি জেৰদ জুৰি পাৰ হলোঁ। ১৪ কাদেচ-বৰ্ণেয়াৰ পৰা জেৰদ জুৰি পাৰ হোৱালৈকে আমি যাত্ৰা কৰা আঠত্ৰিশ বছৰ হ'ল; এই আঠত্ৰিশ বছৰত আমাৰ ছাউনিত যিসকল যোদ্ধা পুৰুষ আছিল, তেওঁলোক সকলো যিহোৱাৰ শপত অনুসাৰে সেই প্ৰজন্মৰ সকলো লোক উচ্ছন্ন হ'ল। ১৫ ছাউনিৰ মাজৰ পৰা সেই প্ৰজন্মক উচ্ছন্ন কৰিবৰ কাৰণে তেওঁলোক নিঃশেষ নোহোৱা পৰ্যন্ত যিহোৱাৰ হাত তেওঁলোকৰ বিৰুদ্ধে আছিল। ১৬ সেয়ে, সকলো যোদ্ধাৰ মৃত্যু হ'ল আৰু তেওঁলোক লোকসকলৰ মাজৰ পৰা গ'ল। ১৭ যিহোৱাই মোক কৈছিল, ১৮ “আজি তোমালোকে মোৱাবৰ সীমায়েদি আৰ নগৰ পাৰ হৈ যাব লাগে। ১৯ তোমালোকে যেতিয়া অম্মোনৰ লোকসকলৰ কাষত গৈ উপস্থিত হ'বা, তেতিয়া তেওঁলোকক বিৰক্ত নকৰিবা আৰু তেওঁলোকৰ বিৰুদ্ধে যুদ্ধও নকৰিবা। কিয়নো, অম্মোনীয়াসকলৰ দেশৰ কোনো অংশই মই তোমালোকক অধিকাৰ কৰিবলৈ নিদিওঁ; কাৰণ, লোটৰ বংশধৰসকলক মই অধিকাৰৰ অৰ্থে এই নগৰ দিলোঁ।” ২০ সেই দেশকো ৰফায়ীয়াসকলৰ দেশ বুলি গণিত কৰা হয়, কাৰণ পূৰ্বে ৰেফায়ীয়াসকলে তাত বাস কৰিছিল। কিন্তু অম্মোনীয়াসকলে তেওঁলোকক জুমজুমীয়া বুলিহে কয়। ২১ এই জাতিৰ লোকসকল আছিল শক্তিশালী, সংখ্যাত অধিক আৰু অনাকীয়াসকলৰ দৰেই দীৰ্ঘকায়। কিন্তু যিহোৱাই তেওঁলোকক উচ্ছন্ন কৰিলে; অম্মোনীয়াসকলে জুমজুমীয়াসকলক উচ্ছন্ন কৰিলে আৰু তেওঁলোকৰ ঠাইত নিজৰ আধিপত্য বিস্তাৰ কৰি সেই ঠাইত বসতি কৰিলে। ২২ যিহোৱাই চেয়ীৰ-নিবাসী এচৌৰ বংশধৰসকলৰ কাৰণেও এই একে কাৰ্য কৰিছিল। সেই সময়ত যিহোৱাই এচৌৰ লোকসকলৰ সন্মুখৰ পৰা হোৰীয়াসকলক উচ্ছন্ন কৰিছিল আৰু তেওঁলোকে সেই ঠাইৰ আধিপত্য ল'লে; আজি পৰ্যন্ত তেওঁলোক সেই ঠাইতে বাস কৰি আছে। ২৩ কপ্তোৰৰ পৰা কপ্তোৰীয়াসকলে আহি অবীয়াসকলক উচ্ছন্ন কৰি তেওঁলোকৰ সেই ঠাইত বসতি কৰিছিল। অব্বীয়াসকল তেতিয়া গাজা পৰ্যন্ত সকলো গাওঁবোৰতে বাস কৰি আছিল। ২৪

তাৰ পাছত যিহোৱাই কৈছিল, “তোমালোক উঠা আৰু যাত্রা কৰি অৰ্ণোন উপত্যকা পাৰ হৈ যোৱা। চোৱা, মই হিচবোনৰ ৰজা ইমোৰীয়া চীহোনক আৰু তেওঁৰ দেশকো তোমালোকৰ হাতত সমৰ্পণ কৰিলোঁ; তোমালোকে তাক অধিগ্ৰহণ কৰিবলৈ আৰম্ভ কৰা; সেয়ে তেওঁৰ বিৰুদ্ধে যুদ্ধ আৰম্ভ কৰা। ২৫ আজিৰ পৰা মই আকাশৰ তলত থকা সমগ্ৰ জাতিৰ মাজত তোমালোকৰ সম্বন্ধে এক ভীতি আৰু ত্ৰাসৰ সঞ্চাৰ কৰিম। তোমালোকৰ বিষয়ে শুনা মাত্ৰকেই তেওঁলোকৰ কঁপনি উঠিব আৰু তোমালোকৰ কাৰণে অত্যন্ত আতঙ্কিত হ'ব।” ২৬ সেয়ে মই কদেমোৎ মৰুভূমিৰ হিচবোনৰ ৰজা চীহোনলৈ লোক পঠাই শান্তিৰ প্ৰস্তাৱ দি কৈছিলোঁ, ২৭ “আপোনাৰ দেশৰ মাজেদি মোক ৰাজআলিয়েদি যাবলৈ দিয়ক; মই সোঁ বা বাওঁ কোনোফালে নুঘূৰিম। ২৮ আপোনালোকে ধনৰ বিনিময়ত মোক খাবলৈ আহাৰ আৰু পান কৰিবলৈও পানী বেচিব। কেৱল আপোনাৰ দেশৰ মাজেদি মোক খোজকাঢ়ি যাবলৈ দিয়ক। ২৯ চেয়ীৰ-নিবাসী এচৌৰ বংশধৰসকলে আৰু আৰ নগৰ নিবাসী মোৱাবীয়াসকলে মোক তেওঁলোকৰ দেশৰ মাজেদি খোজকাঢ়ি যাবলৈ দিয়াৰ দৰে আপুনিও মোক ঈশ্বৰ যিহোৱাই যি দেশ আমাক দিছে, যৰ্দ্দন নদী অতিক্ৰম কৰি সেই দেশ নোপোৱা পৰ্যন্ত আপোনাৰ দেশৰ মাজেদি পাৰ হৈ যাবলৈ দিয়ক।” ৩০ কিন্তু হিচবোনৰ ৰজা চীহোনে নিজ দেশৰ মাজেদি যাবলৈ আমাক অনুমতি নিদিলে; কিয়নো আপোনালোকৰ ঈশ্বৰ যিহোৱাই তেওঁৰ মন কঠিন কৰি হৃদয় অটল কৰি ৰাখিছিল, যাতে তেওঁ আপোনালোকৰ হাতত পৰে। আজি এই সময়ত তেওঁ তাকেই কৰিছে। ৩১ পাছত যিহোৱাই মোক কৈছিল, “শুনা, মই চীহোন আৰু তেওঁৰ দেশ তোমাৰ হাতত শোধাই দিবলৈ আৰম্ভ কৰিলোঁ। তুমি এতিয়া তেওঁৰ দেশত বাস কৰিবৰ অৰ্থে সেই দেশ অধিগ্ৰহণ কৰা।” ৩২ তেতিয়া আমাৰ বিপক্ষে যুদ্ধ কৰিবলৈ চীহোন আৰু তেওঁৰ সকলো লোক যহচ নামৰ ঠাইলৈ ওলাই আহিছিল। ৩৩ আমাৰ ঈশ্বৰ যিহোৱাই তেওঁক আমাৰ হাতত শোধাই দিলে; তাতে আমি তেওঁক, তেওঁৰ পুত্ৰসকলক আৰু তেওঁৰ লোকসকলকো আঘাত কৰি পৰাস্ত কৰিছিলোঁ। ৩৪ সেই সময়ত

আমি তেওঁৰ সকলো নগৰ অধিকাৰ কৰি লৈছিলোঁ; নগৰৰ সকলো
অধিবাসীৰ লগতে মহিলা, সৰু ল'ৰা-ছোৱালীক নিঃশেষে বিনষ্ট
কৰিছিলোঁ, কাকো অৱশিষ্ট নাৰাখিলোঁ; ৩৫ কেৱল পশুধনবোৰ আৰু
নগৰৰ পৰা লুট কৰা বস্তুবোৰ আমি নিজৰ কাৰণে লৈ আহিছিলো।
৩৬ অৰ্ণোন উপত্যকাৰ দাঁতিত অৰোয়েৰ নগৰ আৰু সেই উপত্যকাৰ
মাজত থকা নগৰৰ পৰা গিলিয়দলৈকে আমি জয় কৰিব নোৱাৰা
এনে কোনো নগৰ বাকী নাথাকিল। আমাৰ ঈশ্বৰ যিহোৱাই আমাৰ
সন্মুখত থকা সকলো শত্রুপক্ষৰ ওপৰত আমাক জয়ী কৰাইছিল। ৩৭
কেৱল অম্মোনৰ বংশধৰসকলৰ দেশ, যব্বোক নদীৰ কাষলৈ, পাৰ্বত্য
অঞ্চলৰ নগৰবোৰলৈ আৰু অন্যান্য যি সকলো ঠাইলৈ আমাৰ ঈশ্বৰ
যিহোৱাই নিষেধ কৰিছিল, তাৰ ওচৰলৈ আপোনালোক যোৱা নাই।

৩ তাৰ পাছত আমি ঘুৰি বাচান দেশৰ ফালে যোৱা বাটেদি গ'লো।
আমাৰ লগত যুদ্ধ কৰিবলৈ বাচানৰ ৰজা ওগ আৰু তেওঁৰ সকলো লোক
ইদ্ৰেয়ী নগৰলৈ আমাক আক্ৰমণ কৰিবৰ কাৰণে ওলাই আহিছিল।
২ তেতিয়া যিহোৱাই মোক কৈছিল, “তুমি তেওঁলৈ ভয় নকৰিবা;
কিয়নো মই তেওঁৰ ওপৰত তোমাক বিজয়ী কৰিলোঁ; তেওঁক, তেওঁৰ
লোকসকলক আৰু তেওঁৰ দেশ তোমাৰ অধীনত শোধাই দিলোঁ; তুমি
হিচবোন নিবাসী ইমোৰীয়াসকলৰ ৰজা চীহোনক যেনে কৰিছিলা,
এওঁলৈকো তেনে কৰিবা।” ৩ এইদৰে আমাৰ ঈশ্বৰ যিহোৱাই বাচানৰ
ৰজা ওগক আৰু তেওঁৰ সকলো লোকক আমাৰ অধীনত শোধাই
দিছিল; তাতে আমি তেওঁক আৰু তেওঁৰ সকলো লোককে আঘাত
কৰি বধ কৰিছিলোঁ; এজনকো অৱশিষ্ট নাৰাখিলোঁ। ৪ সেই সময়ত
আমি ওগৰ সকলোবোৰ নগৰ অধিকাৰ কৰি লৈছিলোঁ; তেওঁৰ ষাঠিখন
নগৰৰ সকলোৱেই আমি দখল কৰিছিলোঁ; এটাও বাদ নপৰিল।
অৰ্গোবৰ সমগ্ৰ অঞ্চল অৰ্থাৎ বাচান দেশৰ ৰজা ওগৰ ৰাজ্য আমি
অধিকাৰ কৰি লৈছিলোঁ। ৫ সেই নগৰবোৰ ওখ ওখ প্ৰাচীৰেৰে
ঘেৰি থোৱা আছিল আৰু তাত দুৱাৰ আছিল; দুৱাৰবোৰ শলখাৰে
বন্ধ কৰি ৰখা আছিল; তাৰ উপৰিও বহুতো প্ৰাচীৰ নথকা নগৰো
আছিল। ৬ আমি সেই সকলো নগৰ সম্পূৰ্ণৰূপে ধ্বংস কৰিছিলোঁ।

আমি হিচবোনৰ ৰজা চীহোনলৈ যেনে কৰিছিলোঁ, তেনেকৈ নগৰৰ সকলো অধিবাসীৰ লগতে মহিলা, সৰু ল’ৰা-ছোৱালী সকলোকে নিঃশেষে বিনষ্ট কৰিছিলোঁ। ৭ কিন্তু সকলো পশুধন আৰু নগৰৰ লুট কৰা বস্তুবোৰ আমি নিজৰ কাৰণে লৈ আহিছিলো। ৮ সেই সময়ত আমি অৰ্ণোন নদীৰ উপত্যকাৰ পৰা হৰ্মোণ পাহাৰলৈকে যৰ্দ্দন নদীৰ সিপাৰৰ এলেকা ইমোৰীয়াসকলৰ দুজন ৰজাৰ হাতৰ পৰা অধিকাৰ কৰিছিলোঁ। ৯ (চীদোনৰ লোকসকলে এই হৰ্মোণ পাহাৰক চিৰিয়োন বুলি কয় আৰু ইমোৰীয়াসকলে চনীৰ বোলে।) ১০ সেই সমথলভূমিৰ সকলোবোৰ নগৰ, সমস্ত গিলিয়দ এলেকা আৰু বাচানৰ ৰজা ওগৰ ৰাজ্যৰ সকলো নগৰ, চলখা আৰু ইদ্ৰেয়ীলৈকে গোটেই বাচান দেশ আমি অধিকাৰ কৰিলোঁ। ১১ অৱশিষ্ট ৰফায়ীয়া লোকসকলৰ মাজত কেৱল বাচানৰ ৰজা ওগেই জীৱিত আছিল; তেওঁৰ বিচনাখন লোহাৰে নিৰ্মিত আছিল; সেই বিচনা মানুহৰ হাতৰ মাপ অনুসাৰে দীঘলে ন হাত, বহলে চাৰি হাত আছিল। সেইখন এতিয়াও জানো অম্মোনৰ বংশধৰসকলে বাস কৰা ৰব্বা নগৰত নাই? ১২ সেই সময়ত আমি অধিকাৰ কৰা ঠাই অৰ্ণোনৰ উপত্যকাৰ ওচৰত অৰোয়েৰ নগৰৰ পৰা গিলিয়দৰ পাৰ্বত্য অঞ্চলৰ আধা অংশ আৰু তাৰ নগৰবোৰ মই ৰূবেন আৰু গাদ ফৈদক দিলোঁ। ১৩ গিলিয়দ দেশৰ বাকী অংশ আৰু অৰ্গোবৰ সমগ্ৰ অঞ্চল অৰ্থাৎ বাচান দেশৰ ৰজা ওগৰ ৰাজ্য মই মনচিৰ আধা ফৈদক দিলোঁ। (বাচানৰ সেই অঞ্চলক ৰফায়ীয়াসকলৰ দেশ বোলা হয়। ১৪ যায়ীৰ নামৰে মনচিৰ এজন বংশধৰে গচুৰীয়া আৰু মাখাথীয়াসকলৰ সীমালৈকে গোটেই অৰ্গোব অঞ্চলটো অধিকাৰ কৰি নিজৰ নাম অনুসাৰে সেই ঠাইৰ নাম, এনেকি বাচানৰো নাম হব্বোৎ-যায়ীৰ ৰাখিছিল। আজিলৈকে এই নাম আছে।) ১৫ মই মাখীৰক গিলিয়দ দিলোঁ। ১৬ অৰ্ণোনৰূবেন আৰু গাদ ফৈদৰ লোকক মই গিলিয়দৰ পৰা অৰ্ণোন উপত্যকাৰ মাজৰ সীমা পৰ্যন্ত আৰু যব্বোক নদীলৈকে দিলোঁ। যাব্বোক নদীখন অম্মোনৰ বংশধৰসকলৰ সীমা। ১৭ ইয়াৰ আন সীমাবোৰ হৈছে যৰ্দ্দন নদীৰ উপত্যকাৰ সমথলভূমি; কিন্নৰতৰ পৰা অৰাবা সাগৰলৈকে আৰু

পূবফালৰ পিচগা পাৰ্বত্য অঞ্চলৰ এঢলীয়া ঠাইলৈকে। ১৮ সেই সময়ত মই আপোনালোকক এইবুলি কৈ আদেশ দিছিলোঁ, "আপোনালোকৰ ঈশ্বৰ যিহোৱাই এই ঠাই আপোনালোকৰ অধিকাৰৰ অৰ্থে দিলে; কিন্তু আপোনালোকৰ যোদ্ধাসকলে সুসজ্জিত হৈ, আপোনালোকৰ অন্যান্য ইস্রায়েলীয়া ভাইসকলৰ আগে আগে নদী পাৰ হৈ যাব লাগিব। ১৯ অৱশ্যে, মই আপোনালোকক যিবোৰ নগৰ দিলোঁ, সেই নগৰবোৰত আপোনালোকৰ ভাৰ্যা, ল'ৰা-ছোৱালীৰ লগতে আপোনালোকৰ পশুধনবোৰ থাকিব। মই জানো যে আপোনালোকৰ বহুত পশুধন আছে। ২০ যিহোৱাই আপোনালোকক জিৰণিৰ ভূমি দিয়াৰ দৰে আপোনালোকৰ ভাইসকলেও যৰ্দ্দনৰ সিপাৰে আপোনালোকৰ ঈশ্বৰ যিহোৱাই তেওঁলোকক দিয়া জিৰণিৰ ভূমি অধিকাৰ নকৰা পৰ্যন্ত আপোনালোকে তেওঁলোকক সহায় কৰিব লাগিব। তাৰ পাছতহে মই আপোনালোকক দিয়া নিজৰ নিজৰ আধিপত্যলৈ আপোনালোক প্ৰত্যেকেই ঘূৰি আহিব।" ২১ সেই সময়ত মই যিহোচূৱাক এই আজ্ঞা দি কৈছিলোঁ, "তোমালোকৰ ঈশ্বৰ যিহোৱাই সেই দুজন ৰজালৈ কৰা সকলো কাৰ্য তুমি নিজ চকুৰে দেখিলা; তোমালোকে পাৰ হৈ যি ৰাজ্যলৈকে যাবা, সেই ৰাজ্যবোৰলৈকো যিহোৱাই সেইদৰে কৰিব। ২২ তোমালোকে তেওঁলোকলৈ ভয় নকৰিবা; কিয়নো তোমালোকৰ ঈশ্বৰ যিহোৱাই নিজে তোমালোকৰ পক্ষে যুদ্ধ কৰিব।" ২৩ সেই সময়ত মই যিহোৱাক মিনতি কৰি কৈছিলোঁ, ২৪ "হে মোৰ প্ৰভু যিহোৱা, আপুনি যে কিমান মহান আৰু আপোনাৰ হাত কিমান যে শক্তিশালী, তাক আপুনি আপোনাৰ দাসক দেখুৱাবলৈ আৰম্ভ কৰিছে। আপুনি যি মহৎ আৰু শক্তিসম্পন্ন কাৰ্যবোৰ কৰিছে, তেনে কাৰ্য কৰিব পৰা এনে কোন দেৱতা স্বৰ্গত বা পৃথিৱীত আছে? ২৫ মই আপোনাৰ ওচৰত বিনয় কৰিছোঁ, মোক যৰ্দ্দন নদী পাৰ হ'বলৈ আৰু সেই উত্তম দেশ প্ৰত্যক্ষ কৰিবলৈ দিয়ক। মোক সেই সুন্দৰ পাৰ্বত্য দেশ আৰু লিবানোন দৰ্শন কৰিবলৈ দিয়ক।" ২৬ কিন্তু আপোনালোকৰ কাৰণেই যিহোৱা মোৰ ওপৰত ক্ষুদ্ধ হৈ আছিল; তেওঁ মোৰ বিনয় শুনিবলৈ অস্বীকাৰ কৰিলে। যিহোৱাই মোক কৈছিল, "তোমাৰ বাবে ইমানেই

যথেষ্ট! এই প্ৰসঙ্গত মোক আৰু কোনো কথা নক'বা;  ২৭ তুমি পিচগাৰ
চূড়ালৈ উঠি যোৱা আৰু তাৰ পশ্চিমফালে, উত্তৰফালে, দক্ষিণফালে
আৰু পূব ফালে চকু তুলি চোৱা। এই সকলো তুমি নিজৰ চকুৰে প্ৰত্যক্ষ
কৰিবা। কিন্তু তুমি যৰ্দ্দন নদী অতিক্ৰম নকৰিবা।  ২৮ তাৰ পৰিবৰ্তে,
তুমি যিহোচুৱাক নিৰ্দেশ দিবা। তুমি অৱশ্যেই তেওঁক উৎসাহিত আৰু
সবল কৰিবা। কিয়নো তেৱেঁই এই লোকসকলক নেতৃত্ব দি আগে
আগে গৈ পাৰ কৰি নিব। তুমি কেৱল দেশখন দেখাহে পাবা, কিন্তু
যিহোচূৱাই তেওঁলোকক সেই দেশ অধিকাৰ কৰাব।"  ২৯ সেয়ে আমি
বৈৎ-পিয়োৰৰ বিপৰীত ফালৰ উপত্যকাত থাকি গ'লো।

**4** এতিয়া, হে ইস্ৰায়েলীয়াসকল শুনক! আপোনালোক যেন জীয়াই
থাকে আৰু আপোনালোকৰ পূৰ্বপুৰুষসকলৰ ঈশ্বৰ যিহোৱাই
আপোনালোকক দিয়া দেশত প্ৰৱেশ কৰি আপোনালোকে যেন তাক
অধিকাৰ কৰিব পাৰে, সেয়ে মই আপোনালোকক যি বিধান আৰু
অনুশাসনবোৰৰ বিষয়ে শিকাব বিচাৰিছোঁ, সেইবোৰ মানি চলিব।  ২
মই আপোনালোকক যি আজ্ঞা দিছো তাৰ লগত একো যোগ নিদিব
আৰু তাৰ পৰা একো বাদ নিদিব। আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ যি
সকলো আজ্ঞা মই আপোনালোকক দিছো, সেইবোৰ আপোনালোকে
মানি চলিব।  ৩ আপোনালোকেতো বাল-পিয়োৰৰ কাৰণে যিহোৱাই
কি কি কৰিছিল, তাক নিজ চকুৰেই দেখিলে; আপোনালোকৰ মাজৰ
যিমান লোকে বাল-পিয়োৰক অনুসৰণ কৰিছিল, আপোনালোকৰ
ঈশ্বৰ যিহোৱাই তেওঁলোক সকলোকে আপোনালোকৰ মাজৰ পৰা
উচ্ছন্ন কৰিলে।  ৪ কিন্তু আপোনালোক যিসকলে আপোনালোকৰ ঈশ্বৰ
যিহোৱাক খামুচি ধৰি আছিল, আপোনালোক সকলো এতিয়াও জীয়াই
আছে।  ৫ শুনক, মই মোৰ ঈশ্বৰ যিহোৱাৰ আজ্ঞা মানি আপোনালোকক
বিধান আৰু অনুশাসনবোৰৰ বিষয়ে শিকাইছোঁ; যি দেশ অধিকাৰ
কৰিবৰ কাৰণে আপোনালোকে প্ৰৱেশ কৰিবলৈ গৈ আছে, সেই
দেশত যেন এইবোৰ মানি চলিব পাৰে।  ৬ আপোনালোকে সেইবোৰ
পালন কৰি সেই মতে কাৰ্য কৰিব; কিয়নো এইসকলো পালন কৰাৰ
যোগেদি আন আন জাতিৰ লোকসকলৰ দৃষ্টিত আপোনালোকৰ জ্ঞান

আৰু বুদ্ধি প্ৰকাশ পাব। তেওঁলোকে এই সকলো বিধানৰ বিষয়ে শুনি ক'ব, "সঁচাকৈয়ে এই মহাজাতিৰ লোকসকল জ্ঞানী আৰু বুদ্ধিমান।"
৭ চাওঁক, যেনেকৈ আমাৰ ঈশ্বৰ যিহোৱাক আমি মাতিলেই আমাৰ কাষত পাওঁ, তেনেকৈ এনে কোন মহাজাতি আছে যি সকলৰ এজন দেৱতা তেওঁলোকৰ অতি ওচৰত থাকে?
৮ মই আজি আপোনালোকৰ আগত যি সকলো বিধান শিকাইছোঁ, তেনেকুৱা ধৰ্মময় বিধান আৰু অনুশাসন আন কোন মহাজাতিৰ আছে?
৯ যিমান দিনলৈকে আপোনালোক জীয়াই থাকিব, সিমান দিনলৈকে আপোনালোকে নিজৰ বিষয়ে সতৰ্কতাৰে চলি আপোনালোকৰ আত্মাক যত্নেৰে সুৰক্ষা দিব; আপোনালোকে নিজ চকুৰে যি যি দেখিলে, সেইবোৰ যেন পাহৰি নাযায় আৰু আপোনাৰ হৃদয়ৰ পৰা যেন সেইবোৰ লুপ্ত নহয়। অৱশ্যেই আপোনালোকে আপোনালোকৰ সন্তান-সন্ততি আৰু আপোনালোকৰ নাতি-নাতিনীসকলক এই সকলোবোৰৰ বিষয়ে শিকাব।
১০ যি দিনা হোৰেব পৰ্বতত আপোনালোক আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ আগত উপস্থিত হৈছিল, সেই দিনটোৰ কথা আপোনালোকে মনত ৰাখিব। সেই দিনা যিহোৱাই মোক কৈছিল, "তুমি লোকসকলক মোৰ ওচৰত একগোট কৰা। মই তেওঁলোকক মোৰ কথা শুনিবলৈ দিম যাতে তেওঁলোকে এই পৃথিৱীত থাকোঁতে জীৱনৰ সকলো কালত মোকেই ভয় কৰি চলিব আৰু তেওঁলোকৰ সন্তান সকলকো মোৰ আজ্ঞাৰ বিষয়ে শিক্ষা দিব পাৰে।"
১১ সেয়ে আপোনালোকে ওচৰ চাপি আহি সেই পৰ্বতটোৰ তলত থিয় হৈছিল। তেতিয়া পৰ্বতটোত জুই জ্বলিছিল আৰু সেই জুই আকাশ পৰ্যন্ত প্ৰসাৰিত হৈছিল; ক'লা ঘন মেঘ আৰু ঘোৰ অন্ধকাৰে পৰ্বতটো জুৰি পেলাইছিল।
১২ সেই সময়তে যিহোৱাই জুইৰ মাজৰ পৰা আপোনালোকক কথা কৈছিল; আপোনালোকে যিহোৱাৰ মাত শুনিছিল; কিন্তু আপোনালোকে তেওঁৰ কোনো আকাৰ দেখা পোৱা নাছিল, কেৱল এক মাতৰ শব্দহে শুনিছিল।
১৩ তেওঁ আপোনালোকৰ ওচৰত নিজৰ নিয়ম অৰ্থাৎ দহ আজ্ঞা ঘোষণা কৰিছিল আৰু সেই দহ আজ্ঞা আপোনালোকক পালন কৰিবলৈ নিৰ্দেশ দিছিল। তেওঁ সেই আজ্ঞাবোৰ দুখন শিলৰ ফলিত লিখিছিল।
১৪ সেই সময়ত

যিহোৱাই আপোনালোকক বিধি আৰু নিয়মবোৰ শিকাবলৈ মোক আদেশ দিলে যাতে আপোনালোকে যি দেশ অধিকাৰ কৰিবলৈ গৈ আছে, সেই ঠাইত সেইবোৰ মানি চলিব পাৰে। ১৫ যি দিনা হোৰেব পৰ্বতত যিহোৱাই জুইৰ মাজৰ পৰা আপোনালোকক কথা কৈছিল, তেতিয়া আপোনালোকে তেওঁৰ কোনো আকাৰ দেখা পোৱা নাছিল; সেয়ে আপোনালোক নিজে অতি সাৱধান হওঁক। ১৬ সাৱধান হওঁক! আপোনালোক নিজে ভ্ৰষ্ট নহ'ব; কোনো প্ৰাণীৰ আকৃতিৰে খোদিত কৰা কটা প্ৰতিমা বা পুৰুষ কি স্ত্ৰীৰ আকাৰ নিৰ্মাণ কৰি, ১৭ পৃথিবীত থকা কোনো পশুৰ আকৃতিৰে বা আকাশত উড়ি ফুৰা ডেউকা লগা চৰাইৰ আকৃতিৰে ১৮ নাইবা কোনো সৰীসৃপ জীৱ বা ভূমিৰ তলৰ পানীত থকা কোনো মাছৰ আকৃতি নিৰ্মাণ কৰি ভ্ৰষ্ট নহ'ব। ১৯ আকাশৰ ফালে যেতিয়া আপোনালোকে চকু তুলি চায় আৰু সূৰ্য, চন্দ্ৰ, তৰা আদি কৰি আকাশৰ বাহিনীবোৰ দেখে, তেতিয়া আপোনালোক সাৱধান হ'ব। আপোনালোকৰ ঈশ্বৰ যিহোৱাই আকাশৰ তলত থকা সকলো জাতিকে দিয়া এই সকলোবোৰ বস্তুলৈ আকৰ্ষিত হৈ সেইবোৰক সেৱা আৰু ভক্তি-পূজা কৰাৰ পৰাও সাৱধান হ'ব। ২০ যিহোৱাই লোহা গলোৱা অগ্নিশালৰ দৰে সেই মিচৰ দেশৰ পৰা আপোনালোকক তেওঁৰ নিজৰ উত্তৰাধিকাৰৰ লোক কৰি উলিয়াই আনিলে। যেনেকৈ আজি আপোনালোক আছে। ২১ তাৰ উপৰি আপোনালোকৰ কাৰণে যিহোৱা মোৰ ওপৰত ক্ষুদ্ধ হৈছিল আৰু তেওঁ প্ৰতিজ্ঞা কৰি কৈছিল যে মোক যৰ্দ্দন নদী অতিক্ৰম কৰি যাব নিদিব। আপোনালোকৰ ঈশ্বৰ যিহোৱাই আপোনালোকক যি দেশ অধিকাৰ কৰিবলৈ দিছে, মই সেই উত্তম দেশত প্ৰৱেশ কৰিব নোৱাৰিম। ২২ মই এই ঠাইতেই মৰিম; মই যৰ্দ্দন নদী পাৰ হৈ যাব নোৱাৰিম; কিন্তু আপোনালোকে নদী পাৰ হৈ গৈ সেই উত্তম দেশ অধিকাৰ কৰিব। ২৩ এই কাৰণে আপোনালোকে মনোযোগেৰে নিজৰ কাৰণে সৰ্তক হৈ থাকক, প্ৰভু ঈশ্বৰ যিহোৱাই আপোনালোকৰ লগত যি নিয়মৰ চুক্তি কৰিছিল তাক নাপাহৰে আৰু ঈশ্বৰ যিহোৱাই আপোনালোকক নিষেধ কৰা কোনো বস্তুৰ আকৃতিৰে কটা প্ৰতিমা যেন নাসাজে। ২৪ কিয়নো আপোনাৰ ঈশ্বৰ যিহোৱা

গ্ৰাস কৰোঁতা অগ্নিস্বৰূপ আৰু নিজৰ মৰ্য্যদা ৰখাত উদ্যোগী ঈশ্বৰ।
২৫ যি সকল আপুনি জন্ম দিয়া শিশু আৰু পো-নাতি হ'ব আপুনিও
সেই ঠাইত বহু কাল বাস কৰাৰ পাছত, যদি আপোনালোকে ভ্ৰষ্ট হৈ
কোনো বস্তুৰ আকৃতিৰে কটা প্ৰতিমা সাজি তেওঁৰ দৃষ্টিত যি বেয়া
তাকে কৰি ঈশ্বৰ যিহোৱাক উত্তেজিত কৰি ক্ৰোধ জন্মায়। ২৬ মই
আজি আপোনালোকৰ বিৰুদ্ধে আকাশ আৰু পৃথিবীক সাক্ষী কৰি
কৈছোঁ, আপোনালোকে যি দেশ অধিকাৰ কৰিবলৈ যৰ্দ্দন নদী পাৰ হৈ
যাব; সেই দেশত আপোনালোকৰ বৃদ্ধি নহব শীঘ্ৰেই বিনষ্ট হ'ব; আৰু
সম্পুৰ্ণভাৱে সকলো ধ্বংস হ'ব। ২৭ যিহোৱাই আপোনালোকক মানুহৰ
মাজত সিচঁৰিত কৰিব আৰু যিহোৱাই যি ঠাইলৈ আপোনালোকক লৈ
যাব, তাত ক'ম সংখ্যক লোকহে জাতিবোৰৰ মাজত থাকিব। ২৮
সেই ঠাইত আপোনালোকে, মানুহৰ হাতেৰে নিৰ্মাণ কৰা কাঠ আৰু
শিলৰ দেৱ-মুৰ্ত্তিবোৰ যিবোৰে নেদেখে, যিবোৰে নুশুনে, যিবোৰে
খাব নোৱাৰে আৰু গোন্ধও ল'ব নোৱাৰে এনে কাঠ আৰু শিলক
সেৱা পুজা কৰিব। ২৯ কিন্তু সেই ঠাইত থাকি যদি আপোনালোকে
নিজ ঈশ্বৰ যিহোৱাক বিচাৰে, তেন্তে, আপোনালোকে তেওঁক পাব।
আপোনালোকে যদি নিজৰ সমস্ত হৃদয়ৰে আৰু আত্মাৰে বিচাৰে তেহে
তেওঁক পাব। ৩০ যেতিয়া আপুনি সঙ্কতত পৰিব, আৰু এই সকলো
ঘটনা আপোনালৈ ঘটিব, তেতিয়া সেই ভৱিষ্যত কালত আপুনি নিজ
ঈশ্বৰ যিহোৱালৈ উলটিব; আৰু তেওঁৰ কন্ঠস্বৰ শুনিবলৈ পাব। ৩১
কিয়নো আপোনালোকৰ ঈশ্বৰ যিহোৱা দয়ালু ঈশ্বৰ; তেওঁ আপোনাক
হতাশ নকৰে আৰু ধ্বংসও নকৰে, আৰু আপোনালোকৰ পিতৃসকলৰ
লগত যি প্ৰতিজ্ঞা কৰি শপত খাইছিল তাক তেওঁ নাপাহৰে। ৩২ এই
কাৰণে পূৰ্বে হৈ যোৱা দিনৰ বিষয়ে এতিয়া চাওঁক, আপোনাৰ আগত
যে আছিল; আগতে যিদিনা, ঈশ্বৰে পৃথিৱীত মানুহ সৃষ্টি কৰিলে আৰু
আকাশৰ আৰম্ভণিৰ পৰা অন্তলৈকে সোধক, যদি কোনোবাই এনে
মহৎ কাৰ্য জানো কেতিয়াবা কৰিব পাৰিছে, অথবা মহৎ কাৰ্যৰ কথা
শুনিবলৈ পাইছে? ৩৩ আপোনালোকৰ মাজৰ কোনোলোক অগ্নিকুণ্ডৰ
মাজৰ পৰা, ঈশ্বৰ যিহোৱাৰ কন্ঠস্বৰ শুনি কোনো জাতি জীয়াই থকা

আপুনি শুনিছে নে? ৩৪ ঈশ্বৰ যিহোৱাই কেতিয়াবা এখন দেশৰ পৰা আন এখন দেশলৈ তেওঁক লৈ যাবলৈ চেষ্ঠা কৰিছে নে, তেওঁ তেওঁৰ বিচাৰ, চিন আৰু আচৰিত কাৰ্য, যুদ্ধ আৰু ক্ষমতাশালী হাত, আৰু তেওঁৰ মহান শক্তি প্ৰৰ্দশন কৰি আৰু ভয়ানক কাৰ্যৰ দ্বাৰাই মিচৰত যিহোৱাই আপোনাৰ সন্মুখত এই সকলো কাৰ্য কৰা নাছিল নে? ৩৫ যিহোৱা যে ঈশ্বৰ, তেওঁৰ বাহিৰে আন কোনো ঈশ্বৰ নাই ইয়াক জানিবৰ কাৰণে এই সকলো আপোনাকহে দেখুউৱা হ'ল। ৩৬ তেওঁ আপোনাক শিক্ষা দিবৰ কাৰণে স্বৰ্গৰ পৰা নিজৰ বাণী শুনালে। পৃথিবীত নিজৰ অনন্ত অগ্নিশিখা আপোনাক দেখুৱালে; আৰু অগ্নিশিখাৰ মাজৰ পৰা তেওঁৰ কন্ঠস্বৰ শুনিবলৈ পালে। ৩৭ কাৰণ তেওঁ আপোনাৰ পূৰ্বপুৰুষসকলক প্ৰেম কৰিছিল, এই কাৰণে আপোনাৰ অৰ্থাৎ তেওঁলোকৰ পাছত ভাৱি-পূৰুষসকলক মনোনিত কৰিছিল। এই কাৰণে আপোনালোকক তেওঁ আপোনালোকৰ লগত থাকি মহাপৰাক্ৰমেৰে মিচৰ দেশৰ পৰা বাহিৰ কৰি আনিলে; ৩৮ আপোনাতকৈ বৃহত আৰু ক্ষমতাশালী জাতীবোৰৰ মাজৰপৰা আপোনাক উলিয়াই তেওঁৰ দেশলৈ আনিলে, তেওঁলোকৰ দেশ আধিপত্য স্বৰূপে দিবলৈ; যিবোৰ হ'ল ঠিক আজিও তেনে হবলৈ ধৰিছে। ৩৯ এই হেতুকে, আপোনালোকে অৱশ্যেই জ্ঞাত হওঁক, ওপৰত থকা স্বৰ্গত আৰু তলত থকা পৃথিবীত যিহোৱা যে ঈশ্বৰ; তেওঁৰ বাহিৰে আন কোনো ঈশ্বৰ নাই। ৪০ সেয়ে আজি মই আপোনালোকক যি বিধি আৰু আজ্ঞাবোৰৰ আদেশ দিলোঁ, সেইবোৰ আপোনালোকে অৱশ্যেই মানি চলিব। আপোনাৰ আৰু ভাবীসন্তান সকলৰ যেন মঙ্গল হয়, ঈশ্বৰ যিহোৱাই যি দেশ আপোনালোকক চিৰকালৰ কাৰণে দিছে, তাত যেন আপোনালোক দীৰ্ঘায়ু হয়। ৪১ ইয়াৰ পাছত মোচিয়ে যৰ্দ্দন নদীৰ পূব ফালে তিনখন নগৰ বাচি বেলেগ কৰি ৰাখিলে। ৪২ সেয়ে যদি কোনো ব্যক্তিয়ে দুৰ্ঘটনাক্ৰমে, আগৰ কোনো শত্ৰুতা নথকাতো আন এজনক বধ কৰে, আৰু তেওঁ পলাই গৈ সেই তিনিখন নগৰৰ মাজৰ এখনত সোমাই বাচি থাকিব। ৪৩ সেই নগৰ কেইখন আছিল: অৰণ্যৰ সমথল ভূমিত থকা ৰূবেণীয়াসকলৰ কাৰণে বেচৰ; আৰু গাদীয়াসকলৰ বাবে গিলিয়দত থকা ৰমোৎ, মনচিয়াসকলৰ বাবে

বাচানত থকা গোলন। ৪৪ এইবোৰ বিধি-ব্যৱস্থা ইস্রায়েলৰ সন্তান
সকলৰ সন্মূখত মোচিয়ে স্থাপন কৰিছিল। ৪৫ এইবোৰ চুক্তি কৰি
শিক্ষা, বিধি-বিধান মোচিয়ে ইস্রায়েলৰ সন্তান সকলক মিচৰৰ পৰা
উলিয়াই অনা সময়ত দিছিল। ৪৬ যেতিয়া তেওঁলোক যৰ্দ্দনৰ পূবফালে
অৰ্থাৎ বৈৎ-পিয়োৰৰ বিপৰীতৰ উপত্যকাত, চিহোন দেশত বস-
বাসকৰা ইমোৰীয়াসকলৰ ৰজা, যি জন হিচবোন-নিবাসি আছিল।
মিচৰ দেশৰ পৰা ওলাই অহা সময়ত ইস্রায়েলৰ সন্তান সকলে
তেওঁলোকক পৰাজিত কৰিছিল। ৪৭ তেওঁলোকে চীহোন অধিকাৰ
কৰি ল'লে আৰু ইয়াৰ বাহিৰেও বাচানৰ ৰজা ওগৰ দেশ অধিকাৰ কৰি
লৈছিল। ইমোৰীয়াসকলৰ এই ৰজা দুজন যৰ্দ্দন নদীৰ পূবদিশত বাস
কৰিছিল। ৪৮ এই অঞ্চলটো অৰ্ণোনৰ পৰা আৰম্ভ, উপত্যকাৰ দাঁতিত
থকা অৰোয়েৰৰ পৰা চীয়োন অৰ্থাৎ হৰ্মোণ পৰ্ব্বতলৈকে বিস্তাৰিত হৈ
আছে; ৪৯ এই পৰ্বতলৈকে থকা সকলো দেশ আৰু পিচগাৰ চাৰলীয়া
ঠাইবোৰৰ তলত থকা যৰ্দ্দন নদীৰ পূবফালৰ সমগ্ৰ যৰ্দন উপত্যকা
এই দেশৰ অন্তৰ্ভুক্ত আছিল।

**৫** তেতিয়া মোচিয়ে গোটেই ইস্রায়েলীয়াসকলক মাতি আনি ক'লে,
"হে ইস্রায়েল, আজি মই যি যি বিধি আৰু ব্যৱস্থা আপোনালোকক
জনাম সেইবোৰ শুনক আৰু শিকি পালন কৰি সেই মতে কাৰ্য কৰিব।
২ আমাৰ ঈশ্বৰ যিহোৱাই হোৰেবত আমাৰ লগত এটি নিয়ম কৰিলে।
৩ যিহোৱাই আমাৰ পূৰ্ব–পুৰুষসকলৰ লগতে এই চুক্তি কৰা নাই, কিন্তু
আজি আমি যিমান লোক জীয়াই আছোঁ, আমাৰ সকলোৰে সৈতে
কৰিলে। ৪ যিহোৱাই পৰ্ব্বতত অগ্নিৰ মাজৰ পৰা আপোনালোকৰ সৈতে
মুখামুখিকৈ কথা কৈছিল। ৫ সেই সময়ত জুইৰ ভয়ত আপোনালোকে
পৰ্বতৰ ওপৰলৈ উঠা নাছিল বাবে মই আপোনালোকৰ আৰু যিহোৱাৰ
মাজত থিয় হৈ তেওঁৰ কথা আপোনালোকৰ আগত প্ৰকাশ কৰিছিলোঁ।
তেতিয়া যিহোৱাই কৈছিল: ৬ 'মই তোমালোকৰ ঈশ্বৰ যিহোৱা। মিচৰ
দেশৰ দাসত্বৰ পৰা ময়েই তোমালোকক বাহিৰ কৰি আনিলো। ৭
মোৰ আগত আন কোনো দেৱতা নাথাকক। ৮ তোমালোকে নিজলৈ
কোনো কটা প্ৰতিমা, ওপৰত থকা স্বৰ্গত, তলত থকা পৃথিবীত, আৰু

পৃথিৱীৰ তলত থকা পানীত যি যি আছে, সেইবোৰৰ আকৃতিৰে কোনো
মূৰ্ত্তি নাসাজিবা। ৯ সেইবোৰৰ আগত তোমালোকে প্ৰণিপাত নকৰিবা
আৰু সেইবোৰৰ সেৱাপূজাও নকৰিবা; কিয়নো কেৱল মই যিহোৱা,
তোমালোকৰ ঈশ্বৰ। মই নিজ মৰ্য্যাদা ৰখাত উদ্যোগী; যিসকলে
মোক ঘিণ কৰে, তেওঁলোকৰ দুষ্টতাৰ শাস্তি মই তেওঁলোকৰ তৃতীয়
আৰু চতুৰ্থ পুৰুষলৈকে দিওঁ। ১০ কিন্তু মোক প্ৰেম কৰা ও মোৰ আজ্ঞা
পালন কৰাসকলক মই হাজাৰ হাজাৰ পুৰুষলৈকে দয়া কৰোঁ। ১১
তোমালোকে অনৰ্থকৰূপে নিজ ঈশ্বৰ যিহোৱাৰ নাম নল'বা; কিয়নো
যিকোনোৱে তেওঁৰ নাম অনৰ্থকৰূপে লয়, যিহোৱাই তেওঁক নিৰ্দোষী
নকৰিব। ১২ তোমালোকক ঈশ্বৰ যিহোৱাই দিয়া আজ্ঞা অনুসাৰে
বিশ্ৰাম-দিন পালন কৰি পবিত্ৰ কৰা। ১৩ সপ্তাহৰ ছয়দিন পৰিশ্ৰম
কৰি তোমালোকৰ সকলো কাৰ্য সম্পন্ন কৰিবা; ১৪ কিন্তু সপ্তম দিন
তোমালোকৰ ঈশ্বৰ যিহোৱাৰ উদ্দেশ্যে এক বিশ্ৰাম-দিন; সেই দিনা
তোমালোকে তোমালোকৰ পো বা জী, দাস বা দাসী, আৰু গৰু বা
গাধ, নাইবা আন কোনো পশু, আৰু তোমালোকৰ নগৰৰ দুৱাৰৰ
ভিতৰত থকা বিদেশী, কোনোৱে একো কাম নকৰিবা, তোমালোকৰ
দাস-দাসীয়েও যেন তোমালোকৰ নিচিনাকৈ বিশ্ৰাম পাব। ১৫ সোঁৱৰণ
কৰা, তোমালোকো মিচৰ দেশত দাস আছিলা আৰু তোমালোকৰ
ঈশ্বৰ যিহোৱাই ক্ষমতাশালী হাতৰ শক্তি প্ৰৰ্দশন কৰি তাৰ পৰা
তোমালোকক উলিয়াই আনিলে; এই কাৰণেই তোমালোকৰ ঈশ্বৰ
যিহোৱাই তোমালোকক বিশ্ৰাম-দিন পালন কৰিবলৈ আজ্ঞা দিছে।
১৬ নিজ পিতৃ-মাতৃক সন্মান কৰিবা; ঈশ্বৰ যিহোৱাই তোমাক দিয়া
আজ্ঞা অনুসাৰে, সেই আদেশ মানি চলিলে তোমালোকৰ আয়ুস দীঘল
হ'ব আৰু তোমালোকৰ মঙ্গল হ'ব ১৭ তোমালোকে নৰবধ নকৰিবা।
১৮ তোমালোকে ব্যভিচাৰ নকৰিবা। ১৯ তোমালোকে চুৰ নকৰিবা।
২০ তোমালোকে ওচৰ চুবুৰীয়াৰ অহিতে মিছা সাক্ষ্য নিদিবা। ২১
আনৰ ভাৰ্যালৈ লোভ নকৰিবা; আন লোকৰ ঘৰ-দুৱাৰ, খেতি-বাতি,
দাস-দাসী, গৰু-গাধ বা আন কোনো বস্তুলৈকে লোভ নকৰিবা।' ২২
এইবোৰ আজ্ঞা সেই পৰ্বতৰ ওপৰত জুই, মেঘ আৰু ঘোৰ অন্ধকাৰৰ

মাজৰ পৰা যিহোৱাই আপোনালোকৰ গোটেই সমাজৰ আগত বৰ
মাতেৰে ঘোষণা কৰিছিল; ইয়াৰ বাহিৰে তেওঁ আৰু একোকে কোৱা
নাছিল। পাছত তেওঁ সেইবোৰ দুখন শিলৰ ফলিত লিখি মোক দিলে।
২৩ সেইদিনা যেতিয়া পৰ্ব্বতত জুই জ্বলিছিল আৰু অন্ধকাৰৰ মাজৰ
পৰা আপোনালোকে তেওঁৰ সেই কন্ঠস্বৰ শুনিবলৈ পাইছিল, তেতিয়া
আপোনালোকৰ সকলো পৰিচাৰক আৰু ফৈদৰ মুখ্য লোকসকল
মোৰ ওচৰলৈ আহিছিল ২৪ আপোনালোকে কৈছিল, ‘আমাৰ ঈশ্বৰ
যিহোৱাই আমাৰ আগত নিজৰ প্ৰতাপ আৰু মহিমা দেখুৱালে, আৰু
জুইৰ মাজৰ পৰা আমি তেওঁৰ মাত শুনিলোঁ; আজি আমি জানিলোঁ
যে, ঈশ্বৰে মানুহৰ লগত কথা পতাৰ পাছতো মানুহ জীয়াই থাকিব
পাৰে। ২৫ কিন্তু এতিয়া আমি কিয় মৰিবলৈ যাম? কিয়নো এই
মহান জুইয়ে আমাক গ্ৰাস কৰি পেলাব; যদি আৰু বেছি সময় আমি
আমাৰ ঈশ্বৰ যিহোৱাৰ কন্ঠস্বৰ শুনো, তেন্তে আমি নিশ্চয়ে মৰিম।
২৬ মৰ্ত্ত্য লোকৰ মাজত এনে কোন লোক আছে যে, আমাৰ দৰে
অগ্নিৰ মাজৰ পৰা কোৱা জীৱন্ত ঈশ্বৰৰ কন্ঠস্বৰ শুনাৰ পাছতো
জীয়াই আছে? ২৭ আপুনি, আপুনিয়েই ওচৰলৈ গৈ, আমাৰ ঈশ্বৰ
যিহোৱাই কোৱা সকলো কথা শুনি আঁহক; তেওঁ আপোনাক যি যি
ক’ব, সেই সকলো কথা আমাক জনায় দিব; আমি সেইবোৰ শুনি
সেইদৰে চলিম।’ ২৮ এইবুলি যেতিয়া আপোনালোকে মোক ক’লে,
তেতিয়া যিহোৱাই আপোনালোকৰ সেই কথা শুনি মোক ক’লে, ‘এই
লোকসকলে তোমাক যি যি ক’লে তাক মই শুনিলোঁ। তেওঁলোকে যি
কৈছে ভাল কথাই কৈছে। ২৯ মোক ভয় কৰিবলৈ আৰু মোৰ আজ্ঞা
পালন কৰাৰ এই মনোভাৱ যেন তেওঁলোকৰ সদায় থাকে; তাতে
তেওঁলোক আৰু তেওঁলোকৰ সন্তান সকল চিৰকাল কুশলে থাকিব!
৩০ তুমি গৈ তেওঁলোকক নিজ নিজ তম্বুলৈ উলটি যাবলৈ কোৱা। ৩১
কিন্তু তুমি হ’লে মোৰ ওচৰত এই ঠাইতে থিয় হৈ থাকা; মই তোমাক
সেই সকলো আজ্ঞা, নিয়ম আৰু ব্যৱস্থা দিম যিবোৰ তুমি তেওঁলোকক
শিকাব লাগিব যাতে অধিকাৰ কৰিবলৈ যি দেশ মই তেওঁলোকক
দিম, সেই দেশত তেওঁলোকে সেইবোৰ পালন কৰি চলিব।’ ৩২

এতেকে, আপোনালোকৰ ঈশ্বৰ যিহোৱাই আপোনালোকক যি যি
আজ্ঞা দিলে, আপোনালোকে যত্নেৰে সেইবোৰ পালন কৰক; তাৰ পৰা
সোঁ কি বাওঁফালে নুঘূৰিব। ৩৩ আপোনালোক যেন জীয়াই থাকিব
পাৰে, আপোনালোকৰ যেন মঙ্গল হয়, আৰু যি দেশ আপোনালোকে
অধিকাৰ কৰিব, তাত যেন অনেক কাল জীয়াই থাকিব পাৰে, সেইবাবে
আপোনালোকৰ ঈশ্বৰ যিহোৱাই যি যি পথত আপোনালোকক চলিবলৈ
আজ্ঞা দিলে, সেই পথতে আপোনালোক চলিব।”

৬ আপোনালোকৰ ঈশ্বৰ যিহোৱাই এইবোৰ আজ্ঞা, নিয়ম আৰু
ব্যৱস্থা আপোনালোকক শিকাবৰ কাৰণে মোক নিৰ্দেশ দিলে যাতে
যৰ্দন নদী পাৰ হৈ যি দেশ আপোনালোকে অধিকাৰ কৰিবলৈ গৈ
আছে, সেই দেশত আপোনালোকে সেইবোৰ পালন কৰি চলিব। ২
আপোনালোকে, আপোনালোকৰ ল'ৰা-ছোৱালী আৰু তেওঁলোকৰ
বংশধৰসকলে যেন আপোনালোকৰ ঈশ্বৰ যিহোৱালৈ ভয় ৰাখি মই
দিয়া সকলো নিয়ম আৰু আজ্ঞাবোৰ গোটেই জীৱন কালত পালন
কৰে আৰু তাৰ ফলত আপোনালোকৰ আয়ুস যেন দীঘল হয়। ৩
সেয়ে, হে ইস্ৰায়েলীয়াসকল, মনোযোগেৰে শুনক আৰু সেইবোৰ
মানি চলক। আপোনালোকৰ পূৰ্ব-পুৰুষসকলৰ ঈশ্বৰ যিহোৱাৰ শপত
অনুসাৰে গাখীৰ মধু বোৱা দেশত আপোনালোকৰ যেন মঙ্গল হয় আৰু
আপোনালোক যেন বহুবংশ হয়। ৪ হে ইস্ৰায়েলীয়াসকল, শুনক আমাৰ
ঈশ্বৰ যিহোৱা এজনেই; ৫ আপোনালোক সকলোৱেই আপোনাৰ
সকলো মন, সকলো প্ৰাণ, আৰু সকলো শক্তিৰে সৈতে নিজ ঈশ্বৰ
যিহোৱাক প্ৰেম কৰক। ৬ আজি মই আপোনালোকক দিয়া আজ্ঞাৰ
সকলো কথা আপোনালোকৰ হৃদয়ত ৰাখিব লাগে। ৭ আপোনালোকে
নিজৰ সন্তান সকলক যত্নেৰে সেইবোৰ শিকাব; আপুনি ঘৰত বহোঁতে
বা বাটত যাওঁতে, আৰু শোওঁতে বা উঠোতে, সেইবোৰৰ বিষয়ে
কথা-বতৰা হ'ব। ৮ আপোনাৰ হাতত চিনস্বৰূপে সেইবোৰ বান্ধিব,
আৰু সেইবোৰ আপোনাৰ দুই চকুৰ মাজত ভুষণস্বৰূপ হ'ব লাগে।
৯ আপোনাৰ ঘৰৰ দুৱাৰৰ খুটাত আৰু বাহিৰৰ দুৱাৰত সেইবোৰ
লিখি ৰাখিব। ১০ আপোনালোকৰ পূৰ্ব–পুৰুষ অব্ৰাহাম, ইচহাক আৰু

যাকোবৰ আগত ঈশ্বৰ যিহোৱাই আপোনালোকক যি দেশ দিবলৈ
শপত কৰিছিল, সেই দেশলৈ তেওঁ আপোনালোকক লৈ যাব; সেই
ঠাইত এনে ডাঙৰ আৰু সুন্দৰ নগৰবোৰ আছে, যাক আপোনালোকে
সজা নাই। ১১ এনে ধৰণৰ সকলো উত্তম দ্ৰব্যৰে ঘৰবোৰ পূৰ্ণ হৈ
আছে, যিহক আপোনালোকে ভৰোৱা নাই; এনে নাদ আছে, যিহক
আপোনালোকে খনা নাই; এনে দ্ৰাক্ষাবাৰী জিতগছবোৰ আছে, যিহক
আপোনালোকে ৰোৱা নাই; তাত এই সকলো খাই তৃপ্ত হ'ব। ১২
কিন্তু সাৱধান হ'ব, আপোনালোকে যিহোৱাক যেন পাহৰি নাযায়, যি
জনে আপোনালোকক মিচৰ দেশৰ দাসত্বৰ বন্ধনগৃহৰ পৰা বাহিৰ
কৰি আনিলে। ১৩ আপোনালোকে নিজ ঈশ্বৰ যিহোৱাক ভয় কৰিব,
কেৱল তেওঁৰেই আৰাধনা কৰিব, আৰু তেওঁৰ নামেৰেই শপত খাব।
১৪ আপোনালোকে, আপোনালোকৰ চাৰিওফালে থকা জাতিবোৰৰ
দেৱতাবোৰৰ পাছত নচলিব; ১৫ কিয়নো, আপোনালোকৰ মাজত
থকা আপোনালোকৰ ঈশ্বৰ যিহোৱা নিজৰ মৰ্য্যদা ৰখাত উদ্যোগী;
আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ ক্ৰোধ আপোনালোকৰ বিৰুদ্ধে জ্বলি
উঠিব, তাতে তেওঁ পৃথিবীৰ পৰা আপোনালোকক উচ্ছন্ন কৰিব। ১৬
আপোনালোকে মচ্ছাত যেনেকৈ নিজ ঈশ্বৰ যিহোৱাক পৰীক্ষা কৰিছিল,
তেনেকৈ তেওঁক পৰীক্ষা নকৰিব। ১৭ আপোনালোকে নিজ ঈশ্বৰ
যিহোৱাই আদেশ কৰা আজ্ঞা, শাসন-প্ৰণালী আৰু নিয়মবোৰ অৱশ্যেই
যত্নেৰে পালন কৰিব লাগিব। ১৮ ঈশ্বৰ যিহোৱাৰ দৃষ্টিত যি যি ন্যায়
আৰু সজ কাম আপোনালোকে তাকে কৰিব, তেহে আপোনালোকৰ
মঙ্গল হ'ব আৰু যিহোৱাই যি দেশ দিম বুলি আপোনালোকৰ পূৰ্ব-
পুৰুষসকলক শপত কৰিছিল, আপোনালোকে সেই উত্তম দেশ অধিকাৰ
কৰিব; ১৯ যিহোৱাৰ বাক্য অনুসাৰে আপোনালোকৰ আগৰ পৰা
আপোনালোকৰ সকলো শত্ৰুক আপোনালোকে দূৰ কৰিব পাৰিব।
২০ ভৱিষ্যতে যেতিয়া আপোনালোকৰ সন্তানে সুধিব, যে, “আমাৰ
ঈশ্বৰ যিহোৱাই দিয়া আজ্ঞা, বিধি আৰু শাসন-প্ৰণালীবোৰৰ অৰ্থ কি?”
২১ তেতিয়া আপোনালোকে নিজ সন্তানক ক'ব, “আমি মিচৰ দেশত
ফৰৌণৰ দাস আছিলোঁ; পাছত ঈশ্বৰ যিহোৱাই ক্ষমতাশালী হাতেৰে

মিচৰৰ পৰা আমাক উলিয়াই আনিলে। ২২ ঈশ্বৰ যিহোৱাই আমাৰ চকুৰ সন্মুখতে মিচৰলৈ, ফৰৌণ আৰু তেওঁৰ বংশলৈ, মহৎ আৰু ভয়ঙ্কৰ ক্লেশযুক্ত চিন আৰু অদ্ভুত লক্ষণ দেখুৱালে। ২৩ সেই ঠাইৰ পৰা তেওঁ আমাক বাহিৰ কৰি আনিলে যাতে যি দেশ দিম বুলি তেওঁ আমাৰ পূৰ্ব-পুৰুষসকলৰ আগত শপত কৰিছিল, সেই দেশলৈ আনি তাক আমাক দিব পাৰে। ২৪ আজিৰ দৰে সদায় আমাৰ মঙ্গল হবলৈ আৰু আমাক জীয়াই ৰাখিবলৈ যিহোৱাই আমাক এই সকলো নিয়ম পালন কৰিবলৈ আৰু তেওঁক ভয় কৰি চলিবলৈ আজ্ঞা দিছে। ২৫ আমি যদি নিজ ঈশ্বৰ যিহোৱাই আদেশ কৰা আজ্ঞাৰ দৰে তেওঁলৈ ভয় ৰাখি এই সকলো পালন কৰি সেই মতে কাৰ্য কৰোঁ, তেন্তে সেয়ে হ'ব আমাৰ ধাৰ্মিকতা।"

**৭** আমাৰ ঈশ্বৰ যিহোৱাই আপোনালোকক যি দেশ অধিকাৰ কৰিবলৈ উলিয়াই আনিলে, সেই দেশত আপোনালোকৰ ঈশ্বৰ যিহোৱাই আপোনালোকক লৈ যাব আৰু অনেক জাতিক আপোনালোকৰ সন্মুখৰ পৰা দূৰ কৰিব। এই জাতিবোৰ হ'ল হিত্তীয়া, গিৰ্গাচীয়া, ইমোৰীয়া, কনানীয়া, পৰিজ্জীয়া, হিব্বীয়া, আৰু যিবুচীয়া। এই সাতটা জাতি আপোনালোকতকৈ বৃহৎ আৰু শক্তিশালী। ২ তেওঁ যেতিয়া যুদ্ধত তেওঁলোকক আপোনালোকৰ হাতত আনি দিব আৰু আপোনালোকক বিজয়ী কৰিব, তেতিয়া আপোনালোকে তেওঁলোকক সমূলে ধ্বংস কৰি পেলাব। তেওঁলোকৰ সৈতে কোনো সন্ধি নকৰিব আৰু তেওঁলোকক দয়া নেদেখুৱাব; ৩ নাইবা তেওঁলোকৰ সৈতে বিবাহৰ সম্বন্ধ স্থাপন নকৰিব; আপোনালোকৰ ছোৱালীবোৰক তেওঁলোকৰ পুতেকলৈ বিয়া নিদিব, আৰু নিজৰ ল'ৰাৰ কাৰণেও তেওঁলোকৰ ছোৱালীক বিয়া কৰাই নানিব। ৪ কিয়নো সেই ছোৱালীবোৰে আপোনালোকৰ ল'ৰাবোৰক মোক অনুসৰণ কৰাৰ পৰা আঁতৰাই নিব আৰু আন দেৱ-দেৱীৰ সেৱা পূজা কৰাব; সেয়ে হ'লে, আপোনালোকলৈ যিহোৱাৰ ক্ৰোধ প্ৰজ্বলিত হ'ব, আৰু তেওঁ আপোনালোকক শীঘ্ৰে বিনষ্ট কৰিব। ৫ বৰং আপোনালোকে তেওঁলোকলৈ এই ব্যৱহাৰ কৰিব; তেওঁলোকৰ যজ্ঞ-বেদীবোৰ ভাঙি পেলাব, তেওঁলোকৰ পূজাৰ স্তম্ভবোৰ ডোখৰ ডোখৰ

কৰিব, আচেৰা মূৰ্ত্তিবোৰ কাটি পেলাব, আৰু কটা প্ৰতিমাবোৰ জুইত
পুৰি পেলাব। ৬ কিয়নো আপোনালোক নিজ ঈশ্বৰ যিহোৱাৰ পবিত্ৰ
লোক; পৃথিবীত থকা সকলো জাতিৰ মাজৰ পৰা, নিজৰ এক বিশেষ
জাতি হ'বলৈ, আপোনালোকৰ ঈশ্বৰ যিহোৱাই আপোনালোককহে
মনোনীত কৰি আনিলে। ৭ আন সকলো জাতিতকৈ আপোনালোক
লেখত অধিক বুলি যে যিহোৱাই আপোনালোকক স্নেহ কৰিলে
বা মনোনীত কৰিলে, এনে নহয়; কিয়নো আন সকলো জাতিৰ
তুলনাত আপোনালোক লেখত তাকৰহে আছিল। ৮ কিন্তু যিহোৱাই
আপোনালোকক প্ৰেম কৰে, আৰু আপোনালোকৰ পূৰ্ব-পুৰুষসকলৰ
ওচৰত তেওঁ যি শপত কৰিছিল, তাক ৰক্ষা কৰিবৰ কাৰণে তেওঁ ইয়াক
কৰিলে। সেইবাবেই তেওঁ এক ক্ষমতাশালী হাতেৰে আপোনালোকক
বাহিৰ কৰি আনিলে আৰু মিচৰৰ ৰজা ফৰৌণৰ অধীনত দাসত্বৰ
বন্ধনগৃহৰ পৰা উদ্ধাৰ কৰিলে। ৯ এতেকে আপোনালোকে জানিব
যে, ঈশ্বৰ যিহোৱাই আপোনাৰ ঈশ্বৰ; তেওঁক প্ৰেম কৰা আৰু তেওঁৰ
আজ্ঞা পালন কৰাসকলৰ পক্ষে তেওঁ হাজাৰ হাজাৰ পুৰুষলৈকে
দয়া আৰু নিয়মটি ৰক্ষা কৰোঁতা বিশ্বস্ত ঈশ্বৰ; ১০ কিন্তু তেওঁক
ঘিণ কৰাসকলক বিনষ্ট কৰি তেওঁ তেওঁলোকক প্ৰতিফল দিয়ে;
তেওঁক ঘিণ কৰা লোকলৈ তেনে কৰাত তেওঁ পলম নকৰে; যিহোৱাই
তেওঁৰ সাক্ষাতেই তেওঁলোকক প্ৰতিফল দিব। ১১ এই হেতুকে,
মই আজি আপোনালোকক যি সকলো আজ্ঞা, বিধি, আৰু শাসন-
প্ৰণালী দিছো, সেই সকলোকে মানি চলি সেইদৰে কাৰ্য কৰিব।
১২ যদি আপোনালোকে এই সকলো নিয়মবোৰলৈ মনোযোগ দিয়ে
আৰু সেইবোৰ যত্নেৰে পালন কৰি সেই মতে কাৰ্য কৰে, তেন্তে
আপোনালোকৰ ঈশ্বৰ যিহোৱাই আপোনালোকৰ পূৰ্ব-পুৰুষসকলৰ
ওচৰত যি প্ৰতিজ্ঞা কৰিছিল, সেই অনুসাৰে আপোনালোকৰ কাৰণে
তেওঁ যি নিয়ম স্থাপন কৰিলে, তাক বিশ্বস্ততাৰে ৰক্ষা কৰিব। ১৩ তেওঁ
আপোনালোকক প্ৰেম কৰিব, আশীৰ্ব্বাদ কৰিব আৰু আপোনালোকৰ
সংখ্যা বৃদ্ধি কৰিব; যি দেশ দিম বুলি আপোনালোকৰ পূৰ্ব-পুৰুষসকলৰ
আগত তেওঁ শপত কৰিছিল, সেই দেশত আপোনালোকৰ গৰ্ভফল,

খেতিৰ ফল, শস্য, নতুন দ্ৰাক্ষাৰস, তেল, আপোনালোকৰ পশুবোৰৰ
লগতে মেৰ আৰু ছাগলী পোৱালীৰ সংখ্যা বৃদ্ধি আদি সকলোতে তেওঁ
আশীৰ্ব্বাদ কৰিব। ১৪ সকলো জাতিতকৈ আপোনালোকে অধিকগুণে
আশীৰ্ব্বাদ পাব আৰু আপোনালোকৰ মাজত কোনো পুৰুষেই সন্তানহীন
নহ'ব বা মহিলা সকলো বন্ধ্যা নহ'ব। ল'ৰা সন্তান সকল আৰু
জাকৰ পশুবোৰৰ পোৱালি নোহোৱাকৈ নাথাকিব। ১৫ যিহোৱাই
আপোনালোকৰ মাজৰ পৰা সকলো ৰোগ দূৰ কৰিব; মিচৰত যি সকলো
বিষম ৰোগ আপোনালোকে দেখিলে, সেইবোৰ তেওঁ আপোনালোকৰ
ওপৰত নিদিব, কিন্তু আপোনালোকক ঘিণ কৰোঁতা সকলৰ ওপৰতহে
দিব। ১৬ আপোনালোকৰ ঈশ্বৰ যিহোৱাই আপোনালোকৰ হাতত যি
সকলো জাতিক শোধাই দি জয়যুক্ত দিব, আপোনালোকে তেওঁলোক
সকলোকে গ্ৰাস কৰিব; তেওঁলোকলৈ আপোনালোকে কৃপা-দৃষ্টি
নাৰাখিব; তেওঁলোকৰ দেৱতাবোৰক সেৱা-পূজাও নকৰিব, কিয়নো
সেয়া আপোনালোকলৈ এক ফান্দস্বৰূপ হ'ব। ১৭ আপোনালোকে যদি
নিজৰ মনতে ক'য়, যে, "এই জাতি সমূহ আমাতকৈ সংখ্যাত অধিক,
আমি কেনেকৈ তেওঁলোকক উৎখাত কৰিম?" ১৮ কিন্তু আপোনালোকে
তেওঁলোকলৈ ভয় নকৰিব; আপোনালোকৰ ঈশ্বৰ যিহোৱাই ফৰৌণ
আৰু গোটেই মিচৰ দেশলৈ যি যি কৰিছিল, তাক সোঁৱৰণ কৰিব। ১৯
আপোনালোকৰ ঈশ্বৰ যিহোৱাই যি সকলো দুখ-কষ্ট, অদ্ভুত চিন,
আচৰিত কাৰ্য, শক্তিশালী আৰু ক্ষমতাশালী হাতৰ প্ৰদৰ্শনৰ দ্বাৰা
আপোনালোকক বাহিৰ কৰি আনিছিল, তাক আপোনালোকে নিজ
চকুৰে দেখিছিল। আপোনালোকে এতিয়া যি জাতিবোৰক দেখি ভয়
খাইছে, আপোনালোকৰ ঈশ্বৰ যিহোৱাই তেওঁলোকলৈকো সেইদৰে
কৰিব। ২০ ইয়াৰ বাহিৰেও, যিসকল অৱশিষ্ট লোক আপোনালোকৰ
পৰা লুকাই থাকিব, তেওঁলোক বিনষ্ট নহয় মানে আপোনালোকৰ ঈশ্বৰ
যিহোৱাই তেওঁলোকৰ মাজলৈ কোদো পঠাই দিব। ২১ আপোনালোকে
তেওঁলোকক ভয় নকৰিব; কিয়নো আপোনালোকৰ ঈশ্বৰ যিহোৱা
যিজন মহান আৰু ভয়ঙ্কৰ ঈশ্বৰ তেওঁ আপোনালোকৰ মাজত আছে।
২২ আপোনালোকৰ ঈশ্বৰ যিহোৱাই আপোনালোকৰ আগৰ পৰা

সেই জাতিবোৰক ক্ৰমে ক্ৰমে দূৰ কৰিব; তেওঁলোক সকলোকে
আপোনালোকে একেলগে পৰাস্ত নকৰিব, কাৰণ তেনে কৰিলে
আপোনালোকৰ চাৰিওফালৰ বনৰীয়া জন্তুবোৰৰ সংখ্যা বাঢ়ি যাব।
২৩ কিন্তু ঈশ্বৰ যিহোৱাই ভীষণ বিশৃঙ্খলতাৰ মাজত তেওঁলোকক ধ্বংস
নকৰালৈকে যুদ্ধক্ষেত্ৰত আপোনালোকৰ হাতত তেওঁলোকক পৰাজয়
কৰিবলৈ শোধাই দিব। ২৪ তেওঁলোকৰ ৰজাসকলক আপোনালোকৰ
হাতত শোধাই দিব; তাতে আপোনালোকে আকাশৰ তলৰ পৰা
তেওঁলোকৰ নাম লুপ্ত কৰিব। আপোনালোকে তেওঁলোকক বিনষ্ট
নকৰে মানে আপোনালোকৰ আগত কোনো লোক থিয় হ'ব নোৱাৰিব।
২৫ আপোনালোকে তেওঁলোকৰ দেৱতাবোৰৰ খোদিত মুৰ্ত্তিবোৰ
জুইত পুৰি ভষ্ম কৰিব; আপোনালোক যেন ফান্দত নপৰে, এই কাৰণে
সেইবোৰত থকা ৰূপ বা সোণলৈ লোভ নকৰিব আৰু তাক নিজৰ
কাৰণে নল'ব; কিয়নো সেইবোৰ আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ
অতিশয় ঘিণলগীয়া বস্তু। ২৬ আপোনালোকে ঘিণলগীয়া কোনো বস্তু
নিজৰ ঘৰলৈ আনি তাৰ উপাসনা নকৰিব। সেইবোৰক আপোনালোকে
মনে-প্ৰাণে ঘৃণা আৰু তুচ্ছ কৰিব, কাৰণ সেইবোৰক ধ্বংসৰ বাবে
পৃথক কৰা হৈছে।

**৮** আজি মই আপোনালোকক যি আজ্ঞা দিছো, সেই সকলো আজ্ঞা
আপোনালোকে মানি চলিব যাতে আপোনালোক জীয়াই থাকি সংখ্যাত
বৃদ্ধি পায় আৰু যিহোৱাই আপোনালোকৰ পূৰ্ব-পুৰুষসকলৰ আগত যি
দেশ দিম বুলি শপত কৰিছিল, সেই দেশত প্ৰৱেশ কৰি অধিকাৰ
কৰিব পাৰে। ২ আপোনালোকে অৱশ্যেই মনত ৰখা উচিত, যে
ঈশ্বৰ যিহোৱাই চল্লিশ বছৰলৈকে মৰুপ্ৰান্তৰত আপোনালোকক নেতৃত্ব
দি পৰিচালিত কৰিছিল। তেওঁ আপোনালোকক নম্ৰ কৰিবলৈ আৰু
আপোনালোকে যিহোৱাৰ আজ্ঞা মানি চলিব নে নাই তাক পৰীক্ষা
কৰি জানিবলৈ তেওঁ এই কাৰ্য কৰিছিল। ৩ ভোকত কষ্ট দি আৰু যি
মান্নাৰ কথা আপোনালোকে আৰু আপোনালোকৰ পূৰ্বপুৰুষসকলে
জনা নাছিল তাক খোৱাই যিহোৱাই আপোনালোকক নম্ৰ কৰিছিল।
এই কাৰ্যবোৰৰ দ্বাৰাই তেওঁ আপোনালোকক জনাব বিচাৰিছিল

যে, মানুহ কেৱল পিঠাৰে নিজীয়ে, কিন্তু মানুহৰ জীৱন যিহোৱাই
কোৱা বাক্যৰ দ্বাৰাইহে জীয়ে। ৪ এই চল্লিশ বছৰত, আপোনালোকৰ
গাৰ কাপোৰ ফাটি যোৱা নাছিল আৰু আপোনালোকৰ ভৰিও ফুলা
নাছিল। ৫ এই কথা আপোনালোকে অৱশ্যেই মনত ৰখা উচিত
যে বাপেকে যেনেকৈ নিজ পুতেকক শাসন কৰে, ঠিক তেনেকৈয়ে
আপোনালোকৰ ঈশ্বৰ যিহোৱায়ো আপোনালোকক শাসন কৰিব। ৬
আপোনালোকে ঈশ্বৰ যিহোৱাৰ আজ্ঞা পালন কৰিব, তেওঁৰ পথত
চলিব আৰু তেওঁক ভয় কৰিব। ৭ কিয়নো আপোনালোকৰ ঈশ্বৰ
যিহোৱাই এখন উত্তম দেশলৈ আপোনালোকক লৈ গৈছে; সেই দেশ
পাহাৰ আৰু উপত্যকাৰ মাজেদি বৈ যোৱা জলৰ সোঁত আৰু জুৰি
থকা দেশ; মাটিৰ তলত ওলোৱা পানীৰ ভুমুকৰ দেশ। ৮ সেই দেশ
ঘেহুঁ ধান আৰু যৱ ধান উৎপন্ন হোৱা দেশ, আৰু দ্ৰাক্ষালতা, ডিমৰু,
ডালিম গছ থকা দেশ, জিত গছ আৰু মৌ উৎপন্ন হোৱা দেশ। ৯
সেই দেশত আপোনালোকে অভাৱত নপৰাকৈ আহাৰ খাবলৈ পাব
আৰু আপোনালোকৰ প্ৰয়োজনীয় সকলো বস্তুয়েই আপোনালোকে
পাব। সেই ঠাইৰ শিলবোৰ লোহাৰ আৰু সেই ঠাইৰ পাহাৰবোৰৰ
পৰা আপোনালোকে খনন কৰি তাম পাব। ১০ আপোনালোকে তাত
ভোজন কৰি তৃপ্ত হ’ব আৰু আপোনালোকৰ ঈশ্বৰ যিহোৱাই দিয়া উত্তম
দেশৰ কাৰণে তেওঁৰ ধন্যবাদ কৰিব। ১১ আপোনালোক সাৱধান হ’ব;
আজি মই আপোনালোকক তেওঁৰ যি সকলো আজ্ঞা, নিৰ্দেশ আৰু
শাসন-প্ৰণালীবোৰ দিছো, সেইবোৰ যেন অমান্য কৰি আপোনালোকে
আপোনালোকৰ ঈশ্বৰ যিহোৱাক পাহৰি নাযাব। ১২ অন্যথা, এনেকুৱা
নহওঁক যে আপোনালোকে ভোজন কৰি তৃপ্ত হ’ব আৰু সুন্দৰ ঘৰ সাজি
তাত বাস কৰিব। ১৩ যেতিয়া আপোনালোকৰ গৰু-ছাগলী, মেৰ-
ছাগ জাকৰ বৃদ্ধি পাব, আপোনালোকৰ অধিক সোণ ৰূপ হব আৰু
আপোনালোকৰ সকলো সম্পত্তি বৃদ্ধি পাব, ১৪ তেতিয়া আপোনালোকৰ
হৃদয় অহংকাৰী হৈ উঠিব আৰু যি জনে আপোনালোকক মিচৰ দেশৰ
বন্দীগৃহৰ পৰা উলিয়াই আনিলে আপোনালোকৰ সেই ঈশ্বৰ যিহোৱাক
আপোনালোকে পাহৰি যাব। ১৫ তেওঁ আপোনালোকক শুকান,

জলহীন, বিষাক্ত সাপ আৰু কেকোঁৰাবিছা ভৰা বিশাল আৰু ভয়ানক
মৰুপ্ৰান্তৰৰ মাজেদি যিহোৱাই আপোনালোকক লৈ আনিলে। সেই
ভয়ানক মৰুপ্ৰান্তৰত বহুতো বিষাক্ত সাপ আৰু কেকোঁৰাবিছা আছিল।
তেওঁ কঠিন শিলৰ পৰা আপোনালোকৰ কাৰণে পানী বাহিৰ কৰি
উলিয়াইছিল। ১৬ তেওঁ সেই মৰুভূমিত আপোনালোক মান্না খাবলৈ
দিছিল - যিটো আপোনালোকৰ পূৰ্বপুৰুষসকলে কেতিয়াও দেখা
নাছিল। যিহোৱাই আপোনালোকক পৰীক্ষা কৰিবৰ কাৰণে আৰু নম্ৰ
কৰিবৰ কাৰণে তেওঁ এইদৰে কৰিছিল যাতে শেষত আপোনালোকৰ
সকলো ভাল হয়। ১৭ আপোনালোকে হয়তো মনতে ক'ব পাৰে,
"মোৰ নিজৰ শক্তিত আৰু নিজৰ হাতৰ কৰ্মৰেহে এই ধন-সম্পত্তি
পালোঁ।" ১৮ কিন্তু আপোনালোকে আপোনালোকৰ ঈশ্বৰ যিহোৱাক
সোঁৱৰণ কৰিব; কিয়নো তেওঁৱেই আপোনালোকক এই সম্পত্তি লাভ
কৰিবলৈ সামৰ্থ কৰিলে, আৰু আপোনালোকৰ পূৰ্ব-পুৰুষসকলৰ আগত
যি নিয়মৰ শপত খাই কৈছিলে, তেওঁ তাক এতিয়া পূৰ্ণ কৰিছে। ১৯
আপোনালোকে যদি কেতিয়াবা আপোনালোকৰ ঈশ্বৰ যিহোৱাক
পাহৰি গৈ আন দেৱতাবোৰৰ পাছত চলে আৰু সেইবোৰৰ সেৱা-
পূজা কৰে, তেন্তে আজি মই আপোনালোকৰ বিৰুদ্ধে এই কথা নিশ্চয়
কৰি কৈছো যে, আপোনালোক ধ্বংস হৈ যাব। ২০ আপোনালোকৰ
সন্মুখত যিহোৱাই যি সকলো জাতিক বিনষ্ট কৰিছে, আপোনালোকে
আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ বাক্য নুশুনিলে তেনেদৰেই বিনষ্ট
হ'ব।

**৯** হে ইস্ৰায়েলীয়াসকল শুনক; যি সকলো জাতি আপোনালোকতকৈ
বৃহৎ আৰু শক্তিশালী, আপোনালোকে এতিয়া তেওঁলোকৰ আকাশলঙ্ঘা
দেৱালেৰে আবৃত বৃহৎ নগৰবোৰ অধিকাৰ কৰিবৰ কাৰণে যৰ্দ্দন নদী
পাৰ হ'বলৈ গৈ আছে। ২ সেই ঠাইৰ লোকসকল অনাকীয়। তেওঁলোক
শক্তিশালী আৰু ওখ। আপোনালোকে অনাকীয়াসকলৰ বিষয়ে জানে।
তেওঁলোকৰ বিষয়ে এইবুলি কোৱা আপোনালোকে শুনিছিল যে,
"অনাকীয় সন্তান সকলৰ আগত থিয় হ'ব পৰা কোন লোক আছে?" ৩
কিন্তু আজি আপোনালোকে এই কথা জানি ৰাখক যে, আপোনালোকৰ

ঈশ্বৰ যিহোৱা গ্ৰাসকাৰী অগ্নিৰ নিচিনাকৈ আপোনালোকৰ আগে আগে যাওঁতা; তেওঁ তেওঁলোকক ধ্বংস কৰি দিব; তেঁৱেই আপোনালোকৰ সন্মুখত তেওঁলোকক তল কৰিব। আপোনালোকৰ ওচৰত যিহোৱাই যি আশ্বাস দিছিল সেই অনুসাৰে আপোনালোকে তেওঁলোকক খেদি পঠিয়াব আৰু মূহূর্ততে তেওঁলোকক বিনষ্ট কৰিব। ৪ আপোনালোকৰ ঈশ্বৰ যিহোৱাই আপোনালোকৰ সন্মুখৰ পৰা তেওঁলোকক খেদাই পঠোৱাৰ পাছত আপোনালোকৰ কোনেও যেন মনতে এনে কথা নকয়, মোৰ ধাৰ্মিকতাৰ কাৰণেই যিহোৱাই মোক এই দেশ অধিকাৰ কৰিবলৈ লৈ আনিছে।' আচলতে এইসকলো জাতিৰ লোকসকলৰ দুষ্টতাৰ কাৰণেই যিহোৱাই আপোনালোকৰ সন্মুখৰ পৰা তেওঁলোকক খেদাই পঠাব। ৫ আপোনালোকৰ ধাৰ্মিকতা বা অন্তৰৰ সততাৰ কাৰণেই যে আপোনালোকে তেওঁলোকৰ দেশ অধিকাৰ কৰিবলৈ গৈছে, সেয়ে নহয়, বৰং এই জাতিবোৰৰ দুষ্টতাৰ কাৰণেহে আপোনালোকৰ ঈশ্বৰ যিহোৱাই আপোনালোকৰ সন্মুখৰ পৰা তেওঁলোকক খেদাব যাতে আপোনালোকৰ তেওঁ আপোনালোকৰ পূৰ্বপুৰুষ অব্ৰাহাম, ইচহাক আৰু যাকোবৰ ওচৰত যি প্ৰতিজ্ঞা কৰিছিল, তাক পূৰ্ণ কৰিব পাৰে। ৬ এই হেতুকে আপোনালোকে জানিব যে, আপোনালোকৰ ধাৰ্মিকতাৰ বাবেই যে ঈশ্বৰ যিহোৱাই এই উত্তম দেশ আপোনালোকৰ অধিকাৰৰ অৰ্থে দিছে, সেয়ে নহয়; কিয়নো আপোনালোক এক ঠৰডিঙীয়া জাতি। ৭ আপোনালোকে মৰুভূমিত আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ কেনেদৰে ক্ৰোধ জগাই তুলিছিল, তাক মনত ৰাখক, কেতিয়াও পাহৰি নাযাব। মিচৰ দেশ এৰি অহা দিনৰে পৰা আৰম্ভ কৰি এই ঠাই পোৱালৈকে আপোনালোকে যিহোৱাৰ বিৰুদ্ধে বিদ্ৰোহ আচৰণ কৰি আহিছে। ৮ হোৰেবতো আপোনালোকে যিহোৱাৰ ক্ৰোধ জন্মাইছিল; তাতে যিহোৱাই আপোনালোকৰ ওপৰত ক্ৰোধিত হৈ আপোনালোকক ধ্বংস কৰিব খুজিছিল। ৯ যি সময়ত যিহোৱাই আপোনালোকৰ সৈতে স্থাপন কৰা নিয়ম লিখা শিলৰ ফলি দুখন গ্ৰহণ কৰিবলৈ মই পৰ্বতলৈ উঠি গৈ চল্লিশ দিন আৰু চল্লিশ ৰাতি সেই ঠাইতে আছিলোঁ। তেতিয়া মই আহাৰ কি পানী নোখোৱাকৈয়ে আছিলোঁ। ১০ যিহোৱাই

নিজৰ আঙুলিৰে লিখা এনে দুখন শিলৰ ফলি মোক দিলে; যিদিনা আপোনালোক সকলোৱে যিহোৱাৰ সন্মুখত গোট খাইছিল, সেইদিনা তেওঁ পাহাৰৰ ওপৰত জুইৰ মাজৰ পৰা আপোনালোকক যি যি আজ্ঞা ঘোষণা কৰিছিল, সেইবোৰ সেই ফলি দুখনত লিখা আছিল। ১১ সেই চল্লিশ দিন আৰু চল্লিশ ৰাতিৰ শেষত যিহোৱাই মোক এই শিলৰ ফলি দুখন দিছিল। ১২ যিহোৱাই মোক কৈছিল, "উঠা, তুমি শীঘ্রেই এই ঠাইৰ পৰা তললৈ নামি যোৱা; কিয়নো তুমি তোমাৰ যি লোকসকলক মিচৰ দেশৰ পৰা উলিয়াই আনিলা, তেওঁলোক ভ্রষ্ট হৈছে। মই আজ্ঞা কৰা পথ এৰি তেওঁলোকে নিজৰ কাৰণে সাঁচত ঢলা এটা মূর্ত্তি নির্ম্মাণ কৰি লৈছে।" ১৩ যিহোৱাই মোক পুনৰ কৈছিল, "মই এই লোকসকললৈ চাই দেখিলোঁ, তেওঁলোক এক ঠৰডিঙীয়া জাতি। ১৪ তুমি মোক বাধা নিদিবা; মই তেওঁলোকক বিনষ্ট কৰিম আৰু আকাশৰ তলৰ পৰা তেওঁলোকৰ নাম লুপ্ত কৰিম; তাৰ পাছত তোমাৰ পৰাই মই এক শক্তিশালী আৰু মহান জাতি সৃষ্টি কৰিম।" ১৫ সেয়ে মই পর্বতৰ পৰা উলটি তললৈ নামি আহিলোঁ; তেতিয়াও পর্বতত জুই জ্বলি আছিল আৰু মোৰ দুখন হাতত নিয়ম লিখা দুখন ফলি আছিল। ১৬ তাৰ পাছত মই দেখিলোঁ, আপোনালোকে আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ বিৰুদ্ধে পাপ কৰি পূজাৰ অর্থে আপোনালোকে সাঁচত ঢলা এটা দামুৰি নির্ম্মাণ কৰিলে; যিহোৱাই আপোনালোকক যি পথত চলিবলৈ আজ্ঞা দিছিল, মুহূর্ততে আপোনালোকে সেই পথৰ পৰা আঁতৰি গৈছিল। ১৭ তাতে মই সেই ফলি দুখন মোৰ হাতৰ পৰা দলিয়াই পেলাই দিছিলোঁ; আপোনালোকৰ চকুৰ আগতে সেই দুখন ভাঙি পেলাইছিলোঁ। ১৮ যিহোৱাৰ দৃষ্টিত যি বেয়া, এনে সকলো পাপ কৰি আপোনালোকে তেওঁৰ ক্রোধ জগাই তুলিছিল বাবে মই পুনৰ যিহোৱাৰ সন্মুখত পূর্বৰদৰে চল্লিশ দিন চল্লিশ ৰাতি উবুৰি হৈ পৰিছিলোঁ; আহাৰ-পানী একো নোখোৱাকৈ আছিলোঁ। ১৯ যিহোৱাৰ প্রচণ্ড ক্রোধত মই ভয় খাইছিলো; কিয়নো, আপোনালোকক বিনষ্ট কৰিবলৈ তেওঁ আপোনালোকৰ বিৰুদ্ধে ক্রোধিত হৈ পৰিছিল। কিন্তু সেই সময়তো যিহোৱাই মোৰ নিবেদন শুনিছিল। ২০ ধ্বংস কৰি পেলাব

পৰাকৈ যিহোৱা হাৰুণৰ ওপৰতো অতিশয় ক্ৰুদ্ধ হৈছিল; মই তেতিয়া হাৰোণৰ নিমিত্তেও প্ৰাৰ্থনা কৰিছিলোঁ। ২১ মই আপোনালোকৰ পাপ, অৰ্থাৎ আপোনালোকে নিৰ্ম্মাণ কৰা দামুৰিটো জুইত পুৰি দিছিলোঁ। তাৰ পাছত মই তাক ধুলিৰ নিচিনাকৈ গুড়ি কৰি পৰ্বতৰ পৰা বৈ অহা নদীৰ সোঁতত ধুলিবোৰ পেলাই দিছিলোঁ। ২২ ইয়াৰ পাছত, তবিয়েৰাত, মচ্ছাত আৰু কিব্ৰোৎ-হত্তাবাত আপোনালোকে যিহোৱাক ক্ৰোধ জগাই তুলিছিল। ২৩ তাৰ পাছত, যিহোৱাই কাদেচ-বৰ্ণেয়াৰ পৰা আপোনালোকক পঠোৱাৰ সময়ত ক'লে, "তোমালোক উঠি যোৱা, মই তোমালোকক যি দেশ দিছো তোমালোকে তাক অধিকাৰ কৰা।" কিন্তু সেই সময়ত আপোনালোকে নিজ ঈশ্বৰ যিহোৱাৰ আজ্ঞাৰ বিৰুদ্ধে বিদ্ৰোহ কৰিলে। আপোনালোকে তেওঁক বিশ্বাসো নকৰিলে আৰু তেওঁৰ কথালৈ কাণষাৰ নিদিলে। ২৪ মই যেতিয়াৰে পৰা আপোনালোকক জানিছোঁ, তেতিয়াৰে পৰা আপোনালোক সকলো সময়তে যিহোৱাৰ অবাধ্য হৈছে। ২৫ যিহোৱাই আপোনালোকক ধ্বংস কৰিম বুলি কোৱাৰ কাৰণে মই যিহোৱাৰ আগত চল্লিশ দিন আৰু ৰাতি উবুৰি হৈ পৰি আছিলোঁ। ২৬ মই যিহোৱাৰ আগত প্ৰাৰ্থনা কৰি কৈছিলোঁ, "হে মোৰ প্ৰভু যিহোৱা, তুমি তোমাৰ লোকসকলক ধ্বংস কৰি নেপেলাবা। তেওঁলোক তোমাৰেই; নিজ মহিমাৰে মুক্ত কৰি, তোমাৰ ক্ষমতাশালী হাতেৰে মিচৰৰ পৰা উলিয়াই অনা তোমাৰ উত্তৰাধিকাৰী লোকসকলক ধ্বংস নকৰিবা। ২৭ তোমাৰ দাস অব্ৰাহাম, ইচহাক, আৰু যাকোবক সোঁৱৰণ কৰা; এই লোকসকলৰ ঠৰডিঙীয়া স্বভাৱ, দুষ্টতা আৰু পাপলৈ দৃষ্টি নকৰিবা; ২৮ কৰিলে, তুমি আমাক যি দেশৰ পৰা উলিয়াই আনিলা, সেই দেশৰ লোকসকলে ক'ব, 'যিহোৱাই তেওঁলোকক যি দেশ দিম বুলি প্ৰতিজ্ঞা কৰিছিল, সেই দেশলৈ নিবলৈ অসমৰ্থ হোৱাৰ কাৰণে আৰু তেওঁলোকক ঘিণ কৰাৰ কাৰণে তেওঁ মৰুপ্ৰান্তৰত তেওঁলোকক বধ কৰিবলৈ উলিয়াই আনিলে।' ২৯ কিন্তু তথাপিও তেওঁলোক তোমাৰেই লোক আৰু আধিপত্য, যাক তুমি তোমাৰ পৰাক্ৰমী শক্তিৰ দ্বাৰা আৰু তোমাৰ ক্ষমতাৰ প্ৰৰ্দশনেৰে উলিয়াই আনিছিলা।"

১০ সেই সময়ত যিহোৱাই মোক কৈছিল, “তুমি আগৰ বাৰৰ দৰেই
দুখন শিলৰ ফলি কাটি লোৱা আৰু পৰ্বতৰ ওপৰত মোৰ ওচৰলৈ উঠি
আহাঁ। তাৰ লগতে কাঠৰ এটা চন্দুকো নিৰ্ম্মাণ কৰি ল’বা। ২ তুমি
আগেয়ে যি দুখন শিলৰ ফলি ভাঙি পেলালা তাৰ ওপৰত যি কথা লিখা
আছিল, মই তাকে এই ফলি দুখনত লিখি দিম। পাছত তুমি সেই
দুখন লৈ চন্দুকত ভৰাই থবা।” ৩ সেইবাবে মই চিটীম কাঠৰ এটা
চন্দুক সাজিছিলোঁ আৰু আগৰ দৰেই শিলৰ দুখন ফলি কাটি লৈছিলোঁ;
তাৰ পাছত ফলি দুখন হাতত লৈ পৰ্বতৰ ওপৰলৈ উঠি গ’লো। ৪
যিহোৱাই প্ৰথম ফলি দুটাৰ ওপৰত যি কথা লিখিছিল, এই দুটাৰ
ওপৰতো তাকে লিখি ফলি দুখন মোক দিলে। এই কথাবোৰেই হৈছে
তেওঁৰ দহ আজ্ঞা যি তেওঁ আপোনালোক সকলো একগোট হোৱা
দিনা পৰ্বতৰ ওপৰত জুইৰ মাজৰ পৰা আপোনালোকক কৈছিল।
৫ তাৰ পাছত যিহোৱাৰ আজ্ঞা অনুসাৰে মই পৰ্বতৰ পৰা উভটি
নামি আহি মই তৈয়াৰ কৰা সেই চন্দুকৰ ভিতৰত ফলি দুখন থলোঁ;
সেইবোৰ এতিয়াও তাতে আছে।’ ৬ তাৰ পাছত ইস্ৰায়েলীয়াসকল
বোৰোৎবনেই যাকনৰ পৰা মোচেৰালৈ যাত্ৰা কৰিছিল; সেই ঠাইতে
হাৰোণৰ মৃত্যু হৈছিল আৰু তেওঁক মৈদাম দিয়া হ’ল; তেওঁৰ পুত্ৰ
ইলিয়াজৰে তেওঁৰ সলনি পুৰোহিতৰ কাৰ্য কৰিবলৈ ধৰিলে। ৭ সেই
ঠাইৰ পৰা তেওঁলোকে গুদগোদালৈ যাত্ৰা কৰিছিল আৰু তাৰ পৰা
যটবাথালৈ গৈছিল। যটবাথাত বহুতো জুৰি আছিল। ৮ সেই সময়ত,
যিহোৱাই তেওঁৰ নিয়ম চন্দুক বৈ নিবৰ কাৰণে, পুৰোহিতৰ কাৰ্য
কৰিবৰ উদ্দেশ্যে তেওঁৰ সন্মুখত থিয় হবলৈ আৰু তেওঁৰ নামত
লোকসকলক আশীৰ্ব্বাদ কৰিবলৈ লেবীয়া ফৈদক মনোনীত কৰিলে।
এই সকলো কাম তেওঁলোকে এতিয়ালৈকে কৰি আছে। ৯ সেই কাৰণে
লেবীয়াসকলে তেওঁলোকৰ ইস্ৰায়েলীয়া ককাই ভাইসকলৰ মাজত
সম্পত্তিৰ কোনো ভাগ বা দেশৰ অধিকাৰ পোৱা নাই। আপোনালোকৰ
ঈশ্বৰ যিহোৱাৰ কথা অনুসাৰে যিহোৱাই তেওঁলোকৰ আধিপত্য। ১০
পূৰ্বৰ দৰেই সেইবাৰো মই চল্লিশ দিন আৰু চল্লিশ ৰাতি পৰ্বতৰ ওপৰত
আছিলোঁ আৰু সেই সময়তো যিহোৱাই মোৰ নিবেদন শুনিছিল।

আপোনালোকক ধ্বংস কৰি দিয়াৰ ইচ্ছা যিহোৱাৰ নাছিল। ১১
যিহোৱাই মোক কৈছিল, “তুমি উঠি লোকসকলক পৰিচালনা কৰি
আগে আগে যাত্ৰা কৰা; মই তেওঁলোকৰ পূৰ্বপুৰুষসকলৰ ওচৰত যি
দেশ দিবলৈ প্ৰতিজ্ঞা কৰিছিলোঁ সেই দেশলৈ গৈ তেওঁলোকে যেন
তাক অধিকাৰ কৰে।” ১২ ইস্ৰায়েলীয়াসকল, আপোনালোকৰ ঈশ্বৰ
যিহোৱাই এতিয়া আপোনালোকৰ পৰা কি বিচাৰিছে? তেওঁ কেৱল
বিচাৰিছে যেন আপোনালোকে আপোনালোকৰ ঈশ্বৰ যিহোৱাক ভয়
কৰে, তেওঁৰ সকলো পথত চলে, তেওঁক প্ৰেম কৰে, আপোনালোকৰ
সকলো মন আৰু প্ৰাণেৰে সৈতে ঈশ্বৰ যিহোৱাৰ আৰাধনা কৰে; ১৩
লগতে আপোনালোকৰ ভালৰ কাৰণে আজি মই আপোনালোকৰ
ওচৰত যিহোৱাৰ যি সকলো আজ্ঞা আৰু বিধি আপোনালোকক দিছো,
সেই সকলোকে যেন পালন কৰে। ১৪ শুনক, আকাশ আৰু তাৰ ওপৰৰ
সকলোবোৰেই, পৃথিৱী আৰু তাত থকা সকলোবোৰেই আপোনালোকৰ
ঈশ্বৰ যিহোৱাৰ। ১৫ কেৱল আপোনালোকৰ পূৰ্বপুৰুষসকলৰ প্ৰতি
যিহোৱা সন্তুষ্ট আছিল বাবেই তেওঁ তেওঁলোকক প্ৰেম কৰিছিল।
তেওঁ তেওঁলোকৰ পাছত, তেওঁলোকৰ বংশধৰ আপোনালোকক আন
সকলো জাতিৰ মাজৰ পৰা বাচি ল’লে। আজিও আপোনালোক তেওঁৰ
সেই মনোনীত জাতি। ১৬ সেয়ে, আপোনালোকে আপোনালোকৰ
অন্তঃকৰণৰ চুন্নত কৰক; আপোনালোক ঠৰডিঙীয়া নহ’ব। ১৭ কিয়নো
আপোনালোকৰ ঈশ্বৰ যিহোৱা, ঈশ্বৰৰো ঈশ্বৰ আৰু প্ৰভুৰো প্ৰভু,
মহান ঈশ্বৰ; পৰাক্ৰমী আৰু ভয়ঙ্কৰ ঈশ্বৰ; কাৰো মুখলৈ নাচায় আৰু
উৎকোচো নলয়। ১৮ তেওঁ পিতৃহীন আৰু বিধৱাৰ বিচাৰ নিস্পত্তি
কৰোঁতা আৰু বিদেশীক এনে দৰে প্ৰেম কৰে যে তেওঁলোকক অন্ন-
বস্ত্ৰও দিয়ে। ১৯ আপোনালোকেও বিদেশীক প্ৰেম কৰিব; কিয়নো
মিচৰ দেশত আপোনালোকো বিদেশী আছিল। ২০ আপোনালোকে
আপোনালোকৰ ঈশ্বৰ যিহোৱাকেই ভয় কৰিব আৰু তেওঁৰেই আৰাধনা
কৰিব; তেওঁতেই লাগি থাকিব আৰু তেওঁৰ নামেৰেই প্ৰতিজ্ঞা কৰিব।
২১ তেওঁৱেই আপোনালোকৰ প্ৰশংসা, তেওঁৱেই আপোনালোকৰ
ঈশ্বৰ। আপোনালোকে নিজ চকুৰে যি সকলো মহৎ আৰু ভয়ঙ্কৰ

কাৰ্যবোৰ দেখিছে তাক তেওঁ আপোনালোকৰ কাৰণেই কৰিছে।
২২ আপোনালোকৰ যি পূৰ্ব–পুৰুষসকল মিচৰলৈ গৈছিল তেওঁলোক
সংখ্যাত মাত্ৰ সত্তৰ জন আছিল আৰু এতিয়া আপোনালোকৰ ঈশ্বৰ
যিহোৱাই আপোনালোকৰ সংখ্যা আকাশৰ তৰাবোৰৰ দৰে অসংখ্য
কৰিলে।

**১১** "আপোনালোকে নিজ ঈশ্বৰ যিহোৱাক প্ৰেম কৰিব আৰু তেওঁ যি
বিচাৰিছে, তাক কৰিব আৰু তেওঁৰ নিৰ্দেশ, নিয়ম, শাসন-প্ৰণালী আৰু
আজ্ঞাবোৰ নিতৌ পালন কৰিব। ২ মই আপোনালোকৰ সন্তানসকলৰ
কাৰণে কোৱা নাই, যিসকলে ঈশ্বৰ যিহোৱাৰ শাস্তি, তেওঁৰ মহান কাৰ্য,
তেওঁৰ শক্তিশালী হাত আৰু পৰাক্ৰম প্ৰৰ্দশনৰ কথা জনা নাছিল আৰু
দেখাও নাছিল; ৩ মিচৰৰ দেশত মিচৰৰ ৰজা ফৰৌণলৈ কৰা তেওঁৰ
চিন আৰু কাৰ্যবোৰো তেওঁলোকে দেখা নাছিল। ৪ যিহোৱাই মিচৰীয়
সৈন্যদললৈ, তেওঁলোকৰ ঘোঁৰা আৰু ৰথবোৰলৈ যি কৰিছিল আৰু
সৈন্যদলে যেতিয়া আপোনালোকৰ পাছে পাছে খেদি আহিছিল, তেতিয়া
কেনেকৈ তেওঁ চূফ সাগৰৰ পানীত তেওঁলোকক সম্পূৰ্ণকে ডুবাই
দিছিল আৰু কেনেকৈ তেওঁলোকক ধ্বংস কৰিছিল, তাকো দেখা নাই।
৫ আপোনালোকে এই ঠাইলৈ আহি নোপোৱালৈকে আপোনালোকৰ
কাৰণে তেওঁ মৰুপ্ৰান্তৰৰ মাজত কি কৰিছিল, তাকো আপোনালোকৰ
সন্তানসকলে দেখা নাই। ৬ ৰূবেণ ফৈদৰ ইলিয়াবৰ পুতেক দাথন আৰু
অবীৰামৰ প্ৰতি তেওঁ যি কৰিছিল অৰ্থাৎ সমগ্ৰ ইস্ৰায়েলীয়া লোকৰ
মাজত পৃথিৱীয়ে মুখ মেলি তেওঁলোকক আৰু তেওঁলোকৰ পৰিয়ালৰ
লোকসকলক, তেওঁলোকৰ তম্বু আৰু সকলোবোৰ প্ৰাণীক যিদৰে গ্ৰাস
কৰিছিল সেয়াও তেওঁলোকে দেখা নাছিল। ৭ কিন্তু যিহোৱাৰ সেই
মহৎ মহৎ কাৰ্যবোৰ আপোনালোকেই নিজ চকুৰে দেখিছিল। ৮ এই
হেতুকে, মই আজি আপোনালোকক যি সকলো আজ্ঞা দিছো তাক
পালন কৰিব যাতে যি দেশ অধিকাৰ কৰিবলৈ আপোনালোকে যৰ্দন
নদী অতিক্ৰম কৰি যাব, সেই ঠাইলৈ গৈ আপোনালোক শক্তিশালী হৈ
তাক অধিকাৰ কৰি ল'ব পাৰে আৰু ৯ যিহোৱাই আপোনালোকৰ
পূৰ্বপুৰুষ আৰু তেওঁলোকৰ বংশধৰৰ ওচৰত দুগ্ধ-মধু বোৱা যি দেশ

দিয়াৰ প্ৰতিজ্ঞা কৰিছিল, সেই দেশত যেন আপোনালোক অনেক দিন জীয়াই থাকিব পাৰে। ১০ কিয়নো যি দেশ অধিকাৰ কৰিবলৈ আপোনালোক গৈছে, সেইখন যি দেশৰ পৰা আপোনালোক ওলাই আহিছে সেই মিচৰ দেশৰ নিচিনা নহয়; য'ত আপোনালোকে শস্য সিঁচি, শাকনি বাৰীত যেনেকৈ কৰা হয় তেনেকৈ ভৰিৰে পানী দিয়াৰ কাৰ্য কৰিছিল। ১১ কিন্তু যৰ্দন নদী পাৰ হৈ যি দেশ আপোনালোকে অধিকাৰ কৰিবলৈ গৈছে, সেই ঠাই পাহাৰ আৰু উপত্যকাৰে ভৰা। সেই দেশে পানী আকাশৰ পৰা পানী পায়; ১২ আপোনালোকৰ ঈশ্বৰ যিহোৱাই সেই দেশৰ যত্ন লয়; বছৰৰ আৰম্ভণিৰ পৰা শেষলৈকে সকলো সময়ত আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ চকু সেই দেশৰ ওপৰত থাকে। ১৩ গতিকে আপোনালোকৰ ঈশ্বৰ যিহোৱাক প্ৰেম কৰিবলৈ আৰু সমস্ত মন আৰু প্ৰাণেৰে তেওঁৰ সেৱা-আৰধনা কৰিবলৈ যি আজ্ঞা আজি মই আপোনালোকক দিলোঁ তাক আপোনালোকে বিশ্বস্ততাৰে পালন কৰিব। ১৪ তেতিয়া যিহোৱাই সঠিক কালত আপোনালোকৰ দেশৰ ওপৰত আগতীয়া আৰু শেষতীয়া বৰষুণ পঠাব। তাতে আপোনালোকে প্ৰচুৰ শস্য, নতুন আঙ্গুৰৰ ৰস আৰু তেল গোটাব পাৰিব। ১৫ আপোনালোকৰ পশুধনবোৰৰ কাৰণেও যিহোৱাই পথাৰত ঘাঁহ হবলৈ দিব; আপোনালোকেও তৃপ্ত হোৱাকৈ খাবলৈ পাব। ১৬ আপোনালোকৰ হৃদয় যেন ছলনাত পৰি ভ্ৰান্ত হৈ নাযায় আৰু আপোনালোকে আন দেৱতাবোৰৰ উপাসনা কৰি সেইবোৰৰ আগত যেন প্ৰণিপাত নকৰিব, তাৰ বাবে আপোনালোক নিজৰ বিষয়ে সাৱধান হ'ব; ১৭ তেনে কৰিলে আপোনালোকৰ ওপৰত যিহোৱাৰ ক্ৰোধ প্ৰজ্বলিত হৈ উঠিব আৰু তেওঁ আকাশৰ দুৱাৰ বন্ধ কৰি দিব, যাৰ ফলত বৰষুণ নহ'ব আৰু ভুমিয়ে নিজ ফল উৎপন্ন নকৰিব। যি উত্তম দেশ যিহোৱাই আপোনালোকক দিব, তাৰ পৰা আপোনালোক অতি শীঘ্ৰেই নিশ্চিহ্ন হৈ যাব। ১৮ এতেকে আপোনালোকে মোৰ এই কথাবোৰ নিজ নিজ হৃদয়ত আৰু মনত গাঁথি ৰাখিব; চিনস্বৰূপে সেইবোৰ হাতত বান্ধিব আৰু আপোনালোকৰ চকুৰ মাজত প্ৰতীকৰূপে ভূষিত কৰিব। ১৯ আপোনালোকৰ নিজৰ সন্তানসকলক সকলো সময়তে, ঘৰত

বহোঁতে বা বাটত যাওঁতে, শোওঁতে বা উঠোতে বা কোনো কাৰ্য কৰোঁতে সেইবোৰৰ বিষয়ে শিক্ষা দিব। ২০ আপোনালোকে ঘৰৰ দুৱাৰৰ চৌকাঠত আৰু নগৰৰ প্ৰৱেশ দুৱাৰত সেইবোৰ লিপিবদ্ধ কৰি থ'ব। ২১ যিহোৱাই আপোনালোকৰ পূৰ্ব–পুৰুষসকলৰ ওচৰত যি দেশ দিয়াৰ প্ৰতিজ্ঞা কৰিছিল সেই দেশত আপোনালোক আৰু আপোনালোকৰ সন্তান সকল যিমানকাল এই পৃথিবীৰ ওপৰত আকাশ থাকিব সিমানকাল জীয়াই থাকিব। ২২ কিয়নো এই যি আজ্ঞাবোৰ মই আপোনালোকক আদেশ দিছোঁ, আপোনালোকে যদি যত্নেৰে সেই গোটেই ব্যৱস্থা পালন কৰি সেই মতে কাৰ্য কৰি নিজ ঈশ্বৰ যিহোৱাক প্ৰেম কৰে, তেওঁৰ সকলো পথত চলে, আৰু তেওঁত লাগি থাকে, ২৩ তেন্তে যিহোৱাই আপোনালোকৰ আগৰ পৰা এই আটাই জাতিবোৰক দূৰ কৰিব, আৰু আপোনালোকে আপোনালোকতকৈ মহান আৰু শক্তিশালী জাতিবোৰক উচ্ছেদ কৰিব। ২৪ আপোনালোকে যি যি ঠাইত ভৰি দিব, সেই সকলো ঠাই আপোনালোকৰে হ'ব; মৰুভূমিৰ পৰা লিবানোন পৰ্যন্ত আৰু ইউফ্ৰেটিচ নদীৰ পৰা ভূমধ্য সাগৰলৈকে আপোনালোকৰ সীমা হ'ব। ২৫ আপোনালোকৰ আগত কোনো লোক থিয় হ'ব নোৱাৰিব; আপোনালোকে সেই দেশত যলৈকে যাব, আপোনালোকৰ ঈশ্বৰ যিহোৱাই আপোনালোকক কোৱা বাক্য অনুসাৰে তেওঁলোকৰ মনত আপোনালোকৰ সমন্ধে এক ভয় আৰু আতঙ্ক ভাৱৰ সৃষ্টি কৰিব। ২৬ চোৱা, আজি মই আপোনালোকৰ আগত আশীৰ্ব্বাদ আৰু শাও ৰাখিছোঁ। ২৭ আজি মই আপোনালোকৰ ওচৰত আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ যি আজ্ঞাবোৰ দিলোঁ, সেইবোৰলৈ যদি আপোনালোকে মনোযোগ দিয়ে, তেন্তে আপোনালোকে আশীৰ্ব্বাদ পাব। ২৮ কিন্তু যদি আপোনালোকে নিজ ঈশ্বৰ যিহোৱাৰ আজ্ঞাবোৰলৈ কাণ নিদিয়ে, আৰু মই আজি আপোনালোকক যি পথত চলিবলৈ আজ্ঞা দিছোঁ, তাৰ পৰা আঁতৰি আপোনালোকে নজনা আন দেৱতাৰ পাছত চলে, তেন্তে আপোনালোকে শাও পাব। ২৯ আপোনালোকে যি দেশ অধিকাৰ কৰিবলৈ গৈছে, আপোনালোকৰ ঈশ্বৰ যিহোৱাই যেতিয়া সেই দেশত ঈশ্বৰ যিহোৱাই আপোনালোকক যেতিয়া লৈ যাব, তেতিয়া

গৰিজ্জীম পর্বতত সেই আশীৰ্ব্বাদ, আৰু এবাল পৰ্ব্বতত সেই শাও
প্ৰকাশ কৰিব। ৩০ সেই দুই পর্বত যৰ্দ্দনৰ সিপাৰত পশ্চিমফালৰ বাটৰ
পশ্চিমত গিলগলৰ সন্মুখত অৰাবা-নিবাসী কনানীয়াসকলৰ দেশৰ
মাজত মোৰিৰ এলোন গছবোৰৰ ওচৰত নহয় নে? ৩১ কিয়নো ঈশ্বৰ
যিহোৱাই আপোনালোকক যি দেশ দিছে, তাক অধিকাৰ কৰিবৰ অৰ্থে
আপোনালোকে তাত সোমাবলৈ যৰ্দ্দন পাৰ হৈ যাব। আপোনালোকে
তাক অধিকাৰ কৰি তাতে বসতি কৰিব। ৩২ এই কাৰণে, মই আজি
আপোনালোকৰ আগত যি যি বিধি আৰু শাসন-প্ৰণালী প্ৰকাশ কৰিছোঁ,
সেই সকলোকে পালন কৰি সেই অনুসাৰে কার্য কৰিব।”

**১২** আপোনালোকৰ পূর্বপুৰুষসকলৰ ঈশ্বৰ যিহোৱাই যি দেশ
আপোনালোকক অধিকাৰৰ অৰ্থে দিছে, সেই দেশত গোটেই জীৱনকাল
আপোনালোকে এই সকলো বিধি আৰু শাসন-প্ৰণালীবোৰ মানি
চলিব। ২ আপোনালোকে যি জাতিবোৰক উচ্ছেদ কৰিব, তেওঁলোকে
ওখ পর্বতত, পাহাৰত আৰু সেউজীয়া গছৰ তলত যি সকলো দেৱ-
দেৱীৰ পূজা কৰে, সেই ঠাইবোৰ আপোনালোকে সম্পূর্ণকৈ ধ্বংস
কৰিব। ৩ তেওঁলোকৰ যজ্ঞ-বেদীবোৰ ভাঙি পেলাব, তেওঁলোকৰ
শিলৰ স্তম্ভবোৰ ডোখৰ ডোখৰ কৰিব, তেওঁলোকৰ আচেৰা মূৰ্ত্তিবোৰ
জুইত পুৰি পেলাব, তেওঁলোকৰ দেৱতাৰ সকলো কটা-প্ৰতিমাবোৰ
কাটি পেলাব আৰু এই দৰে সেই ঠাইৰ পৰা তেওঁলোকৰ নাম
লুপ্ত কৰিব। ৪ আপোনালোকে আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ
উপসনা সেই লোকসকলে কৰাৰ দৰে নকৰিব। ৫ কিন্তু ঈশ্বৰ
যিহোৱাই নিজৰ নাম স্থাপন কৰিবৰ কাৰণে আপোনালোকৰ সকলো
ফৈদৰ মাজত যি ঠাই মনোনীত কৰিব, সেই ঠাই তেওঁৰ বসতিৰ
ঠাই হ'ব। আপোনালোকে অৱশ্যেই তেওঁৰ উপসানাৰ কাৰণে সেই
ঠাইলৈ যাব। ৬ আপোনালোকে আপোনালোকৰ হোম-বলি, বলি
উৎসর্গ, দশমভাগ আৰু আপোনালোকৰ হাতেৰে আগবঢ়োৱা নৈবেদ্য,
সঙ্কল্প পূৰণৰ নৈবেদ্য, ইচ্ছাকৃত বিশেষ দান আৰু গৰু-ছাগলী, মেৰ
আদিৰ জাকৰ প্ৰথমে জগা পোৱালি সেই ঠাইলৈ লৈ যাব। ৭ সেই
ঠাইতেই আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ সন্মুখত আপোনালোকে

আৰু আপোনালোকৰ পৰিয়ালৰ সকলোৱে আহাৰ গ্ৰহণ কৰিব আৰু
আপোনালোকে হাত দিয়া সকলো কাৰ্যত তেওঁ দিয়া আশীৰ্ব্বাদক
লৈ আপোনালোকে আনন্দ উল্লাস কৰিব। ৮ আমি এতিয়া ইয়াত
যি যি কাৰ্য কৰিছোঁ, সেইবোৰৰ দৰে আপোনালোকে সেই ঠাইত
নকৰিব; প্ৰতিজনে নিজৰ চকুত যি ভাল দেখে তাকে নকৰিব। ৯
কিয়নো আপোনালোকৰ ঈশ্বৰ যিহোৱাই বিশ্ৰামৰ কাৰণে যি আধিপত্য
আপোনালোকক দিবলৈ গৈছে, আপোনালোকে এতিয়াও সেই ঠাইত
প্ৰৱেশ কৰা নাই। ১০ আপোনালোকৰ ঈশ্বৰ যিহোৱাই আধিপত্য
হিচাবে যি দেশ আপোনালোকক দিছে, আপোনালোকে যৰ্দ্দন নদী পাৰ
হৈ যেতিয়া সেই দেশত বাস কৰিব, তেতিয়া তেওঁ আপোনালোকৰ
চাৰিওফালে থকা শত্ৰুবোৰৰ কাষৰ পৰা আপোনালোকক বিশ্ৰাম
দিব আৰু আপোনালোকে নিৰাপদে সেই ঠাইত বাস কৰিব পাৰিব।
১১ তাৰ পাছত আপোনালোকৰ ঈশ্বৰ যিহোৱাই তেওঁৰ নাম স্থাপনৰ
কাৰণে যি ঠাই বাছি লব, সেই ঠাইলৈ মই আদেশ কৰা সকলো
বস্তু লৈ আহিব অৰ্থাৎ নিজ নিজ হোমবলি, বলি উৎসৰ্গ, দশমভাগ,
আপোনালোকৰ হাতেৰে আগবঢ়োৱা নৈবেদ্য, যিহোৱাৰ উদ্দেশ্যে কৰা
সকলো সঙ্কল্প পূৰণৰ নৈবেদ্য। ১২ সেই ঠাইত আপোনালোকৰ ঈশ্বৰ
যিহোৱাৰ সন্মুখত আপোনালোকে, আপোনালোকৰ ল'ৰা-ছোৱালী,
দাস-দাসী, আপোনালোকৰ নগৰৰ দুৱাৰৰ ভিতৰত বাস কৰা লেবীয়া
লোকসকল, যি সকলৰ নিজৰ বুলিবলৈ কোনো ভাগ বা আধিপত্য নাই,
আপোনালোক সকলোৱেই আনন্দ কৰিব। ১৩ নিজৰ বিষয়ে সাৱধান
হ'ব। যি কোনো স্থানতে আপোনালোকে হোম-বলি উৎসৰ্গ নকৰিব;
১৪ কিন্তু আপোনালোকৰ ফৈদৰ মাজত যিহোৱাই যি ঠাই মনোনীত
কৰিব, কেৱল সেই ঠাইতেহে হোম-বলি উৎসৰ্গ কৰিব আৰু সেই
ঠাইতেহে মই আদেশ কৰা সকলো আজ্ঞা পালন কৰিব। ১৫ তেতিয়াহে
আপোনালোকৰ ঈশ্বৰ যিহোৱাই আপোনালোকক আশীৰ্ব্বাদ কৰি
যি সকলো পশু দিব, সেইবোৰ আপোনালোকে আপোনালোকৰ
দুৱাৰৰ ভিতৰত নগৰত মাৰি মাংস ভোজন কৰিব পাৰিব; যেনেকৈ
আপোনালোকৰ শুচি আৰু অশুচি সকলো লোকেই কৃষ্ণসাৰ আৰু

হৰিণাৰ মাংস খায়। ১৬ কিন্তু আপোনালোকে তেজ নাখাব; তাক পানীৰ দৰে মাটিত ঢালি পেলাব। ১৭ আপোনালোকৰ শস্য, নতুন দ্ৰাক্ষাৰস বা তেলৰ দশমভাগ নাইবা গৰু-ছাগলী, মেৰ আদিৰ প্ৰথমে জগা পোৱালি, সঙ্কল্প সিদ্ধ কৰিবৰ কাৰণে দিয়া কোনো নৈবেদ্য, ইচ্ছাকৃত বিশেষ দান বা আপোনালোকৰ হাতেৰে আগবঢ়োৱা নৈবেদ্য আপোনালোকে নিজৰ নগৰৰ দুৱাৰৰ ভিতৰত খাব নোৱাৰিব; ১৮
কিন্তু আপোনালোকৰ ঈশ্বৰ যিহোৱাই যি ঠাই মনোনীত কৰিব, সেই ঠাইত আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ সন্মুখত আপোনালোকে, আপোনালোকৰ ল'ৰা-ছোৱালী, দাস-দাসী, আপোনালোকৰ নগৰৰ দুৱাৰৰ ভিতৰত বাস কৰা লেবীয়া লোকসকলে সেইবোৰ ভোজন কৰিব আৰু আপোনালোকে হাত দিয়া সকলো কাৰ্যত তেওঁ দিয়া আশীৰ্বাদক লৈ আপোনালোকে আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ সন্মুখত আনন্দ উল্লাস কৰিব। ১৯ শুনক, আপোনালোকে যিমান দিন আপোনালোকৰ দেশত বাস কৰিব, সিমান দিনলৈকে লেবীয়াসকলক ত্যাগ নকৰিব। ২০ আপোনালোকৰ ঈশ্বৰ যিহোৱাই কৰা নিজ প্ৰতিজ্ঞাৰ দৰে সীমা বিস্তাৰ কৰাৰ পাছত যেতিয়া আপোনালোকে মাংস খাবলৈ ইচ্ছা কৰি ক'ব, "মাংস খাম," তেতিয়া আপোনালোকে ইচ্ছা মনেৰে মাংস খাব পাৰিব। ২১ আপোনালোকৰ ঈশ্বৰ যিহোৱাই নিজৰ নাম স্থাপন কৰিবৰ অৰ্থে যি ঠাই বাছি ল'ব, সেয়ে যদি আপোনালোকৰ ওচৰৰ পৰা বহুত দূৰৈত হয়, তেন্তে মই দিয়া আজ্ঞা অনুসাৰে আপোনালোকে যিহোৱাই আপোনালোকক দিয়া গৰু-ছাগলী, মেৰ আদি জাকৰ পৰা পশু লৈ মাৰিব পাৰিব আৰু আপোনালোকৰ নগৰৰ দুৱাৰৰ ভিতৰত মনৰ ইচ্ছাৰ দৰে ভোজন কৰিব পাৰিব। ২২
কৃষ্ণসাৰ আৰু হৰিণাৰ মাংস খোৱাৰ দৰেই আপোনালোকে তাক খাব; শুচি বা অশুচি সকলো লোকেই তাক ভোজন কৰিব পাৰিব। ২৩
কিন্তু সাৱধান! তেজ নাখাব; কিয়নো তেজেই হৈছে জীৱনৰ প্ৰাণ; এই হেতুকে মঙহেৰে সৈতে প্ৰাণ নাখাব। ২৪ আপোনালোকে তাক নাখাই পানীৰ দৰে মাটিত ঢালি দিব। ২৫ আপোনালোক আৰু আপোনালোকৰ ভাবী সন্তান সকলৰ মঙ্গল হ'বৰ কাৰণে আপোনালোকে তেজ

পান নকৰিব; তেতিয়া যিহোৱাৰ দৃষ্টিত যি ভাল তাক কৰা হ'ব।
২৬ যিহোৱাই মনোনীত কৰা ঠাইত কেৱল আপোনালোকৰ পবিত্ৰ
দ্ৰব্য আৰু সংকল্প কৰা নৈবেদ্য নিব লাগিব। ২৭ আপোনালোকৰ
ঈশ্বৰ যিহোৱাৰ যজ্ঞ-বেদীৰ ওপৰত আপোনালোকে আপোনালোকৰ হোমবলি অৰ্থাৎ মঙহ আৰু তেজ উৎসৰ্গ কৰিব; আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ যজ্ঞ-বেদীৰ ওপৰত বলিৰ তেজ ঢালি দিব লাগিব; কিন্তু
তাৰ মাংস আপোনালোকে খাব পাৰিব। ২৮ আপোনালোকৰ আৰু
আপোনালোকৰ পাছত আপোনালোকৰ ভাবী সন্তান সকলৰ যেন চিৰকাল মঙ্গল হয়, সেয়ে মই দিয়া এই সকলো আজ্ঞা আপোনালোকে যত্নেৰে পালন কৰিব; কাৰণ তেনে কৰিলে আপোনালোকৰ ঈশ্বৰ
যিহোৱাৰ দৃষ্টিত যি ন্যায় আৰু ভাল তাক কৰা হ'ব। ২৯ যি জাতি
সমূহৰ আধিপত্য ল'বলৈ আপোনালোক গৈছে, আপোনালোকৰ ঈশ্বৰ যিহোৱাই আপোনালোকৰ আগৰ পৰা তেওঁলোকক একেবাৰে ধ্বংস কৰি দিব। যেতিয়া আধিপত্য ভোগ কৰি তেওঁলোকৰ দেশত বাস
কৰিব, ৩০ তেতিয়া সাৱধান হ'ব যাতে আপোনালোকৰ আগৰ পৰা
তেওঁলোক বিনষ্ট হৈ যোৱাৰ পাছত তেওঁলোকৰ দেৱ-দেৱীৰ বিষয়ে বিচাৰ নিবলৈ গৈ আপোনালোকে এইবুলি সুধি ফান্দত নপৰিব "এই জাতিবোৰে কেনেদৰে নিজৰ দেৱতাবোৰৰ আৰাধনা কৰে? শেষত
ক'ব 'ময়ো তেনেকৈ কৰিম'।" ৩১ আপোনালোকে আপোনালোকৰ
ঈশ্বৰ যিহোৱাৰ আৰাধনা তেওঁলোকে কৰাৰ দৰে নকৰিব। কিয়নো তেওঁলোকে তেওঁলোকৰ দেৱতাবোৰৰ উদ্দেশ্যে যি ঘিণলগীয়া কাৰ্য কৰে, সেই সকলোবোৰ যিহোৱাই ঘিণ কৰে; এনেকি, তেওঁলোকে তেওঁলোকৰ দেৱতাবোৰৰ উদ্দেশ্যে নিজৰ ল'ৰা-ছোৱালীবোৰক
জুইত পুৰি উৎসৰ্গ কৰে। ৩২ মই আপোনালোকক যি যি আজ্ঞা
দিছোঁ, আপোনালোকে সেই সকলোকে পালন কৰিব; ইয়াৰ লগত আপোনালোকে একো কথা যোগ নিদিব আৰু ইয়াৰ পৰা একো কথা বাদ নিদিব।

**১৩** যদি আপোনালোকৰ মাজত কোনো ভাববাদী বা সপোন দেখি ভৱিষ্যতৰ কথা কব পৰা এনে কোনোবাই চিন বা অদ্ভুত লক্ষণ

দেখুৱায়, ২ আৰু সেই লোকজনেও যদি চিন বা অদ্ভুত লক্ষণৰ প্ৰমাণ দেখুৱাই আপোনালোকক কয় আহাঁ "আমি আন দেৱতাবোৰৰ পাছত চলি যি বোৰৰ বিষয়ে আপোনালোকে নাজানে সেইবোৰৰ সেৱা-পূজা কৰোঁগৈ," ৩ তেন্তে আপোনালোকে সেই ভাববাদী বা সপোন দেখা লোকৰ কথা নুশুনিব। কিয়নো আপোনালোকে আপোনালোকৰ ঈশ্বৰ যিহোৱাক সকলো মনেৰে আৰু সকলো প্ৰাণেৰে প্ৰেম কৰে নে নকৰে, তাক জানিবৰ কাৰণেহে আপোনালোকৰ যিহোৱাই আপোনালোকক পৰীক্ষা কৰে। ৪ আপোনালোকে আপোনালোকৰ ঈশ্বৰ যিহোৱাৰেই পাছত চলিব, তেওঁকেই ভয় কৰিব, তেওঁৰেই আজ্ঞাবোৰ পালন কৰিব, তেওঁকেই অনুসৰণ কৰিব, তেওঁৰেই আৰাধনা কৰিব আৰু তেওঁক কেতিয়াও পৰিত্যাগ নকৰিব। ৫ তেনে ভাববাদী বা সপোন দেখা লোকক প্ৰাণদণ্ড দিয়া হ'ব; কিয়নো আপোনালোকৰ ঈশ্বৰ যিহোৱা, যিজনে মিচৰ দেশৰ পৰা আপোনালোকক উলিয়াই আনিলে আৰু বন্দীত্বৰ গৃহৰ পৰা আপোনালোকক মুক্ত কৰিলে, তেওঁৰেই বিৰুদ্ধে সেই লোকে উচটনি দিছে; আপোনালোকৰ ঈশ্বৰ যিহোৱাই যি পথত চলিবলৈ আপোনালোকক আজ্ঞা দিছে, তেওঁ সেই পথৰ পৰা আপোনালোকক এফলীয়া কৰিবলৈ চেষ্টা কৰিছে; সেয়ে আপোনালোকৰ মাজৰ পৰা তেনে দুষ্টতাক লোপ কৰিব। ৬
যদি আপোনাৰ নিজৰ ভাই বা আপোনাৰ ল'ৰা কি ছোৱালী নাইবা প্ৰিয় ভাৰ্যা কি আপোনাৰ প্ৰাণৰ বন্ধুৱে আপোনাক বিপথে নিবৰ কাৰণে যিসকল দেৱতাক আপোনালোকে আৰু আপোনালোকৰ পূৰ্ব-পুৰুষসকলে নাজানে, সেইসকলৰ বাবে গোপনে প্ৰবৃত্তি দি কয় যে, ব'লা, আমি গৈ আন দেৱতাৰ পূজা কৰোঁ; ৭ পৃথিৱীৰ এক সীমাৰ পৰা অন্য সীমা পৰ্যন্ত আপোনাৰ চাৰিওফালৰ ওচৰৰ বা দূৰৈৰ লোকসকলে যাক সেৱা কৰে, তেনে যি কোনো দেৱতাৰ পূজা কৰে, ৮ তেন্তে আপোনালোকে সেই মানুহৰ কথাত সন্মত নহ'ব আৰু তেওঁৰ কথালৈ কাণ নিদিব; তেওঁলৈ দয়া নেদেখুৱাব; কৃপাও নকৰিব আৰু তেওঁক লুকুৱাই নাৰাখিব। ৯ কিন্তু অৱশ্যেই সেই জনক বধ কৰিব। তেওঁক বধ কৰিবলৈ আপুনি নিজৰ হাতেৰেই আৰম্ভ কৰিব; তাৰ পাছত সকলোৱে

যোগ দিব। ১০ যিজনে আপোনালোকক মিচৰ দেশৰ বন্দীত্বৰ গৃহৰ
পৰা উলিয়াই আনিলে; আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ পাছত চলাৰ
পৰা আপোনালোককএফলীয়া কৰিবলৈ চেষ্টা কৰাৰ কাৰণে তেওঁক
আপোনালোকে শিল দলিয়াই হত্যা কৰিব। ১১ তাতে ইস্ৰায়েলীয়া
সকলে সেই কথা শুনি ভয় খাব আৰু আপোনালোকৰ মাজত কোনেও
তেনে কুকৰ্ম পুনৰ নকৰিব। ১২ আপোনালোকৰ ঈশ্বৰ যিহোৱাই যি
নগৰবোৰ আপোনালোকক বাস কৰিবৰ অৰ্থে দিছে, তাৰ কোনো
এখনৰ বিষয়ে যদি শুনিবলৈ পায় যে: ১৩ সেই ঠাইৰ ইস্ৰায়েলবাসীৰ
মাজত কেইজনমান দুষ্টলোক ওলাই সেই ঠাইৰ নিবাসীসকলক এই
বুলি কৈ বিপথে নিছে, “আহঁক, আমি গৈ ইতৰ দেৱতাক পূজা কৰোঁ
যাৰ বিষয়ে আপোনালোকে নাজানে।” ১৪ তেনেকুৱাই যদি হয়,
তেন্তে বিষয়টো ভালদৰে বিচাৰ কৰি আপোনালোকে পৰীক্ষা আৰু
তদন্ত কৰিব। সেয়ে যদি সঁচা বুলি প্ৰমাণিত হয় যে এই ঘৃণনীয় কাম
আপোনালোকৰ মাজত হৈছে, ১৫ তেন্তে আপোনালোকে তৰোৱালৰ
ধাৰেৰে সেই নগৰ-নিবাসীসকলক প্ৰহাৰ কৰি, পশু আদি তাৰ মাজত
থকা সকলোকে তৰোৱালেৰে নিঃশেষে বিনষ্ট কৰিব। ১৬ সেই ঠাইৰ
সকলো লুটদ্ৰব্য আপোনালোকে নগৰৰ চকৰ মাজত গোটাই সেই
নগৰ আৰু তাৰ লুটদ্ৰব্যৰ সকলোবোৰ নিজ ঈশ্বৰ যিহোৱাৰ উদ্দেশ্যে
জুইত পুৰিব; সেই নগৰ চিৰকালৰ কাৰণে যেন ভগ্নাৱশেষ হৈ থাকিব;
তাক পুনৰায় কেতিয়াও সজা নহ’ব। ১৭ যিহোৱাই যেন তেওঁৰ প্ৰচণ্ড
ক্ৰোধৰ পৰা ক্ষান্ত হয়, সেইবাবে আপোনালোকৰ হাতত যেন এই
লুটদ্ৰব্যবোৰৰ এটাও দেখা নাযায়; তেতিয়া তেওঁ আপোনালোকক
কৃপা আৰু দয়া কৰিব লগতে আপোনালোকৰ পূৰ্ব-পুৰুষসকলৰ আগত
কৰা শপতৰ দৰে আপোনালোকৰ বংশ বৃদ্ধি কৰিব। ১৮ তেওঁ এইদৰে
কৰিব, যেতিয়া আপোনালোকে আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ মাত
শুনি মই আজি আপোনালোকক যি সকলো আজ্ঞা দিছো, তাক পালন
কৰিব আৰু আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ দৃষ্টিত যি ভাল, তাক কৰি
বাধ্য হ’ব।

**১4** আপোনালোক আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ সন্তান। আপোনালোকে মৰা মানুহৰ কাৰণে শোক প্ৰকাশ কৰিবলৈ নিজৰ শৰীৰত কাটকুট নকৰিব বা মূৰৰ চুলি নুখুৰাব। ২ কিয়নো আপোনালোক আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ উদ্দেশ্যে এক পবিত্ৰ জাতি; পৃথিবীত থকা সকলো জাতিৰ মাজৰ পৰা যিহোৱাই আপোনালোকক মনোনীত কৰিলে যাতে আপোনালোক তেওঁৰ নিজৰ বিশেষ সম্পত্তি হয়। ৩ আপোনালোকে কোনো ঘিণলগীয়া বস্তু নাখাব। ৪ আপোনালোকে খাব পৰা পশু এইবোৰ; গৰু, মেৰ, ছাগলী, ৫ হৰিণা, কৃষ্ণসাৰ, যহমুৰ পহু, বনৰীয়া ছাগলী, দীচোন পশু, টৰো আৰু পৰ্বতীয়া মেৰ-ছাগ। ৬ যিবোৰ জন্তুৰ খুৰা সম্পূৰ্ণকৈ দুফাল আৰু ঘাঁহ পাগুলে, সেই সকলো পশু আপোনালোকে খাব পাৰিব। ৭ তথাপিও এইবোৰৰ মাজত যিবোৰে ঘাঁহ পাগুলে বা খুৰা দুফাল হোৱা পশুবোৰৰ মাজত আপোনালোকে এইবোৰ খাব নালাগে: উট, শহা আৰু চাফন পহু। কাৰণ সেইবোৰে ঘাঁহ পাগুলে হয়, কিন্তু খুৰা দুফাল নহয়; সেইবোৰ আপোনালোকৰ কাৰণে অশুচি। ৮ গাহৰি অশুচি। কাৰণ তাৰ খুৰা দুফাল হলেও সি ঘাঁহ পাগুলি নাথাকে, সি আপোনালোকৰ পক্ষে অশুচি। আপোনালোকে সেইবোৰৰ মাংস নাখাব, সেইবোৰৰ শৱকো নুচুব। ৯ পানীত বাস কৰা প্ৰাণীবোৰৰ মাজত যিবোৰৰ পাখি আৰু বাকলি আছে, সেইবোৰ আপোনালোকে খাব পাৰিব। ১০ কিন্তু যিবোৰৰ পাখি আৰু বাকলি নাই, সেইবোৰ নাখাব। সেইবোৰ আপোনালোকৰ কাৰণে অশুচি। ১১ আপোনালোকে সকলোবিধৰ শুচি চৰাই খাব পাৰিব। ১২ কিন্তু আপোনালোকে এইবোৰ খাব নোৱাৰিব: ঈগল, শগুণ, শেন, ১৩ শঙ্কৰ চিলনী, ৰঙা চিলনী, সকলোবিধৰ মটিয়া চিলনী, ১৪ সকলো বিধৰ কাউৰী, ১৫ উট চৰাই, ৰাতি-শেন, গঙ্গা-চিলনী, সকলোবিধৰ শেন জাতীয়; ১৬ ফেঁচা, হুদু, বগা-ফেঁচা, ১৭ হাড়গিলা, ঢোঁৰা কাউৰী, মাছৰোকা, ১৮ বৰটোকোলা, সকলো বিধৰ বগলী, ৰাজহংস আৰু বাদুলী। ১৯ জাক বান্ধি উৰি ফুৰা সকলো পতঙ্গ আপোনালোকৰ কাৰণে অশুচি হ'ব; সেইবোৰ খাব নালাগে। ২০ কিন্তু আন পাখি থকা শুচি প্ৰণীবোৰ আপোনালোকে খাব

পাৰিব। ২১ নিজে মৰি পৰি থকা কোনো পশু আপোনালোকে নাখাব। কিয়নো আপোনালোক আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ উদ্দেশ্যে এক পবিত্ৰ জাতি। কিন্তু আপোনাৰ নগৰৰ দুৱাৰৰ ভিতৰত থকা কোনো বিদেশীক তাক দিব পাৰিব আৰু তেওঁলোকে তাক খাব পাৰিব নাইবা আপোনালোকে কোনো বিদেশীৰ ওচৰত তাক বিক্ৰী কৰিব পাৰিব। ছাগলী পোৱালিৰ মাংস তাৰ মাকৰ গাখীৰত নিসিজাব। ২২ বছৰে বছৰে উৎপন্ন হোৱা খেতিৰ শস্যৰ দশম ভাগ আপোনালোকে পৃথক কৰি থব। ২৩ যি ঠাই আপোনালোকৰ ঈশ্বৰ যিহোৱাই নিজৰ নামৰ বাসস্থান কৰিবৰ কাৰণে মনোনীত কৰিলে, সেই ঠাইত আপোনালোকৰ শস্য, নতুন দ্ৰাক্ষাৰস, তেলৰ দশম ভাগ আৰু নিজৰ গৰু, মেৰ-ছাগ, ছাগলীৰ প্ৰথমে জগাবোৰক আপোনালোকে ঈশ্বৰ যিহোৱাৰ সন্মুখত খাব: তাতে আপোনালোকে ঈশ্বৰ যিহোৱাক ভয় ভক্তি কৰিবলৈ শিকিব। ২৪ কিন্তু যি ঠাই আপোনালোকৰ ঈশ্বৰ যিহোৱাই নিজৰ নাম স্থাপন কৰিবৰ অৰ্থে মনোনীত কৰিব, যদি সেই ঠাই বহু দূৰৈত হয় আৰু তাৰ কাৰণে আপোনালোকৰ যাত্ৰাও ইমান দীঘলীয়া হয় যে আপোনালোকে আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ আশীৰ্ব্বাদত পোৱা দশম ভাগৰ বস্তু তালৈ নিব নোৱাৰিব। ২৫ তেন্তে সেই উৎসৰ্গিত বস্তু বিক্ৰি কৰি তাৰ ধন লৈ আপোনালোকে আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ মনোনীত ঠাইলৈ যাব। ২৬ আপোনালোকে সেই ধনেৰে নিজৰ ইচ্ছামতে বস্তু কিনিব, যেনে গৰু, মেৰ-ছাগ, ছাগলী নাইবা দ্ৰাক্ষাৰস বা সুৰা বা আপোনালোকৰ মনৰ ইচ্ছাৰ যি কোনো বস্তু। সেইবোৰ কিনি আপোনালোকে আপোনালোকৰ সপৰিয়ালক লৈ সেই ঠাইতে আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ আগত আহাৰ গ্ৰহণ কৰি আনন্দ কৰিব। ২৭ আপোনালোকৰ নগৰৰ দুৱাৰৰ ভিতৰত থকা যি লেবীয়াসকল তেওঁলোকক নাপাহৰিব; কিয়নো নিজৰ বুলিবলৈ তেওঁলোকৰ কোনো অংশ বা আধিপত্য নাই। ২৮ প্ৰত্যেক তৃতীয় বছৰৰ শেষত, আপোনালোকৰ সেই বছৰৰ উৎপাদিত শস্যৰ দশম ভাগ উলিয়াই আনি আপোনালোকে নগৰৰ দুৱাৰৰ ভিতৰত জমা কৰিব। ২৯ তাতে লেবীয়াসকল, যি সকলৰ নিজৰ বুলিবলৈ কোনো

আধিপত্য নাই, তেওঁলোকৰ লগতে সেই নগৰৰ বিদেশী বাসিন্দাসকল, বিধৱা আৰু পিতৃহীন ল'ৰা-ছোৱালীবোৰে তৃপ্তিৰে খাবলৈ পাব। আপোনালোকৰ হাতে কৰা এই সকলো কাৰ্যত আপোনালোকৰ ঈশ্বৰ যিহোৱাই আশীৰ্ব্বাদ কৰিবৰ কাৰণে ইয়াকে কৰিব।

**১৫** আপোনালোকে প্ৰত্যেক সাত বছৰৰ মূৰত ধাৰ ক্ষমা কৰিব।
২ সেই ধাৰ ক্ষমা কৰাৰ নিয়ম এই, প্ৰতিজন ধাৰ দিওঁতাই নিজৰ
ওচৰ চুবুৰীয়াক দিয়া ধাৰ ক্ষমা কৰিব; তেওঁ নিজৰ ওচৰ-চুবুৰীয়া
ভাইৰ পৰা তাক আদায় নকৰিব, কিয়নো যিহোৱাৰ ধাৰ ক্ষমাৰ সময়
ঘোষণা কৰা হ'ল। ৩ আপোনালোকে পৰজাতিৰ পৰা দাবি কৰি ঋণ
আদায় কৰিব পাৰে; কিন্তু ভাইৰ ওচৰত আপোনালোকৰ যি ঋণ
আছে, সেয়া এৰি দিব। ৪ যাহোক আপোনালোকৰ মাজত কোনো
দৰিদ্ৰলোক নাথাকিব। কিয়নো আপোনালোকৰ ঈশ্বৰ যিহোৱাই
আপোনালোকক অধিকাৰৰ কাৰণে যি দেশ আধিপত্য স্বৰূপে দিছে,
যিহোৱাই সেই দেশত আপোনালোকক নিশ্চয় আশীৰ্ব্বাদ কৰিব।
৫ যদি তোমালোকে কায়মনোবাক্যে ঈশ্বৰ যিহোৱাৰ কথা শুনা,
তোমালোকে তেওঁৰ সকলো আজ্ঞা পালন কৰা; এই আদেশ মই আজি
তোমালোকক দিলোঁ। ৬ কিয়নো ঈশ্বৰ যিহোৱাই আপোনালোকৰ
আগত যি দৰে প্ৰতিজ্ঞা কৰিছিল সেইদৰেই আপোনালোকক আশীৰ্ব্বাদ
কৰিব। তেতিয়া আপোনালোকে অনেক জাতিক ঋণ দিব। কিন্তু অন্য
লোকৰ পৰা আপোনালোকে ঋণ ল'ব লগা নহ'ব। আপোনালোকে
বহুতো জাতিৰ ওপৰত শাসন কৰিব পাৰিব, কিন্তু তেওঁলোকৰ
কোনো এজনেও আপোনালোকক শাসন কৰিব নোৱাৰিব। ৭ ঈশ্বৰ
যিহোৱাই আপোনালোকক যি দেশ দিছে, তাৰ কোনো নগৰৰ দুৱাৰৰ
ভিতৰত যদি কোনো ভাই আপোনালোকৰ দেখাত দুখীয়া, তেতিয়া
আপোনালোকে তেওঁলৈ হৃদয় কঠিন নকৰিব, সেই দুখীয়া ভাইলৈ
আপোনালোকৰ হাত বন্ধ নকৰিব। ৮ কিন্তু আপুনি তেওঁলৈ হাত
মুকলি কৰি, তেওঁৰ অভাৱ পূৰ কৰিবৰ কাৰণে তেওঁক যি প্ৰয়োজন,
অৱশ্যে সিমান তেওঁক ধাৰ দিব লাগে। ৯ সাৱধান হওঁক সপ্তম
বছৰ, ধাৰ ক্ষমা কৰা বছৰ ওচৰ হৈছে, এই বুলি নিজৰ হৃদয়ত

নীহ ভাব উদয় নহওক; নহ'লে নিজৰ দুখীয়া ভাইলৈ কু-দৃষ্টি ৰাখি
তেওঁক একোকে নিদিব, আৰু তেওঁ আপোনাৰ বিৰুদ্ধে যিহোৱাৰ
আগত প্ৰাৰ্থনা কৰিব; তাতে আপোনাৰ পাপ হ'ব। ১০ আপুনি তেওঁক
অৱশ্যে দিব; দিওঁতে মনত বেজাৰ নকৰিব। কিয়নো এই কাৰ্যৰ
কাৰণে ঈশ্বৰ যিহোৱাই আপোনাৰ সকলো কৰ্মত, আৰু আপুনি হাত
দিয়া আটাই কাৰ্যত আপোনাক আশীৰ্ব্বাদ কৰিব। ১১ কিয়নো দুখীয়া
মানুহ দেশৰ পৰা আতৰ নহ'ব, এই কাৰণে মই আপোনাক এই
আজ্ঞা দিছোঁ, যে, আপুনি নিজৰ দেশত থকা দুখীয়া আৰু দৰিদ্ৰ
ভাইলৈ হাত মুকলি কৰি ৰাখিব। ১২ যদি তোমাৰ ভাই এজন
ইব্ৰীয়া পুৰুষ বা এজনী ইব্ৰীয়া মহিলা আপোনাৰ হাতত বেচা হয়,
আৰু তেওঁ আপোনাক ছয় বছৰ খাটি দিয়ে, তেন্তে আপুনি সপ্তম
বছৰত তেওঁক মুকলি কৰি বিদায় দিব। ১৩ মুকলি কৰি বিদায় দিয়া
সময়ত, তাক শুদা হাতে নপঠাব। ১৪ আপোনালোকে আপোনালোকৰ
মেৰ-ছাগ আৰু ছাগলী জাকৰ পৰা, মৰণামৰা খোলাৰ পৰা আৰু
দ্ৰাক্ষাকুণ্ডৰ পৰা তাক ভালকৈ দি পঠাব। আপোনালোকৰ ঈশ্বৰ
যিহোৱাই আপোনালোকক আশীৰ্ব্বাদ কৰাৰ দৰেই তেওঁক দি দি'ব।
১৫ আপুনি অৱশ্যেই মনত ৰখা উচিত যে মিচৰ দেশত আপোনালোক
বন্দী অৱস্থাত আছিল, আৰু ঈশ্বৰ যিহোৱাই আপোনালোকক মুক্ত
কৰিলে; তাক সোঁৱৰক; এই কাৰণে মই আজি আপোনালোকক এই
আজ্ঞা দিছোঁ। ১৬ কিন্তু আপোনাৰ আৰু আপোনালোকৰ পৰিয়ালৰ
লোকসকলৰ প্ৰতি ভাল পোৱাৰ কাৰণে আৰু আপোনালোকৰ ওচৰত
সুখেৰে আছে কৈ আপোনালোকক এৰি নাযাওঁ বুলি কয়, ১৭ তেন্তে
আপোনালোকে তেওঁৰ কাণৰ লতি লৈ দুৱাৰত লগাই ৰাখি বিন্ধনাৰে
ফুটা কৰিব। তেতিয়া তেওঁ সদায় আপোনাৰ বন্দী হৈ থাকিব; আৰু
বেটীলৈকো সেইদৰেই কৰিব। ১৮ তেওঁ ছয় বছৰ আপোনালোকৰ
কাৰণে আপোনাৰ বেচ খোৱা চাকৰতকৈ দুগুণ কাম কৰিলে, আপুনি
তেওঁক মুকলি কৰি বিদায় দিয়াত আপুনি কষ্টবোধ নকৰিব; তাতে
আপোনাৰ ঈশ্বৰ যিহোৱাই আপুনি কৰা সকলো কাৰ্যত আপোনাক
আশীৰ্ব্বাদ কৰিব। ১৯ আপোনালোকে আপোনালোকৰ গৰু, মেৰ-

ছাগ আদি পশুৰ জাকৰ পৰা প্ৰথমে আটাই মতা পশুবোৰ আপোনাৰ ঈশ্বৰ যিহোৱাৰ উদ্দেশ্যে পবিত্ৰ কৰিব; আপোনালোকে প্ৰথমে জগা গৰু, কোনো কামত নলগাব, আৰু আপোনালোকৰ মেৰ-ছাগৰ প্ৰথমে জগা নোম নাকাটিব। ২০ যিহোৱাই যি ঠাইত মনোনীত কৰিব সেই ঠাইত আপোনাৰ ঈশ্বৰ যিহোৱাৰ সাক্ষাতে আপুনি আপোনালোকৰ সপৰিয়ালে তাক প্ৰতিবছৰে আহাৰ হিচাপে গ্ৰহণ কৰিব। ২১ যদি তাত কোনো ঘুণীয়া থাকে, অৰ্থাৎ সেইবোৰত যদি খোৰা, কণা, বা আন প্ৰকাৰৰ কোনো ঘুণ থকা হয়, তেন্তে আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ উদ্দেশ্যে তাক উৎসৰ্গ নকৰিব। ২২ আপোনাৰ নগৰৰ দুৱাৰৰ ভিতৰত তাক খাব। শুচি আৰু অশুচি সকলো লোকে সমানে কৃষ্ণসাৰ বা হৰিণাৰ মাংস খোৱাৰ দৰে তাক খাব পাৰিব। ২৩ আপুনি কেৱল তাৰ তেজ নাখাব; তাক পানীৰ দৰে মাটিত ঢালি পেলাব।

**১৬** আপুনি আবীব মাহ মানিব, আৰু আপোনাৰ ঈশ্বৰ যিহোৱাৰ উদ্দেশ্যে নিস্তাৰ-পৰ্ব্ব পালন কৰিব; কিয়নো আবীব মাহতেই আপোনালোকৰ ঈশ্বৰ যিহোৱাই আপোনালোকক মিচৰ দেশৰ পৰা ৰাতি উলিয়াই আনিছিল। ২ ঈশ্বৰ যিহোৱাৰ উদ্দেশ্যে, নিজৰ নাম স্থাপনৰ কৰিবৰ অৰ্থে যি ঠাই মনোনীত কৰিব, সেই ঠাইত আপোনালোকে আপোনালোকৰ মেৰ-ছাগ, ছাগ, আৰু গৰুৰ জাকৰ পৰা পশু লৈ, নিস্তাৰ-পৰ্ব্বৰ বলি উৎসৰ্গ কৰিব। ৩ মিচৰ দেশৰ পৰা ওলাই অহাৰ দিন ধৰি জীয়াই থাকে মানে সোঁৱৰণ কৰিবৰ কাৰণে, আপোনালোকে তাৰে সৈতে খমিৰ দিয়া পিঠা নাখাব। সাত দিন তাৰে সৈতে, খমীৰ নিদিয়া পিঠা ভোজন কৰিব; কিয়নো আপোনালোকে লৰালৰিকৈ মিচৰ দেশৰ পৰা ওলাই আহিছিল। ৪ সাদিনলৈকে আপোনালোকৰ সকলো সীমাত, আপোনালোকৰ ওচৰত খমীৰ দেখা নাযাওক; আৰু প্ৰথম দিনক সন্ধ্যাকালত মৰা যি বলি, তাৰ কোনো মাংস ৰাতিপুৱালৈকে গোটেই ৰাতি থকা অৱশিষ্ট নাথাকক। ৫ ঈশ্বৰ যিহোৱাই আপোনালোকক যি যি নগৰ দিছে, তাৰ কোনো নগৰৰ দুৱাৰৰ ভিতৰত নিস্তাৰ-পৰ্ব্বৰ বলি উৎসৰ্গ কৰিব নোৱাৰিব। ৬ কিন্তু আপোনালোকৰ ঈশ্বৰ যিহোৱাই নিজৰ নাম

স্থাপনৰ অৰ্থে যি ঠাই মনোনীত কৰিব, সেই ঠাইত, মিচৰ দেশৰ পৰা ওলাই অহাৰ সময় পৰিলে, সন্ধ্যাবেলা সূৰ্য মাৰ যোৱা সময়ত নিস্তাৰ-পৰ্ব্বৰ বলি উৎসৰ্গ কৰিব। ৭ আপোনালোকৰ ঈশ্বৰ যিহোৱাই যি ঠাই মনোনীত কৰিব, সেই ঠাইত তাক খৰিকাত দি খাব। পাছত ৰাতিপুৱা নিজ নিজ তম্বুলৈ উলটি যাব। ৮ আপোনালোকে ছয় দিন খমীৰ নিদিয়া পিঠা খাব; আৰু সপ্তম দিনা আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ উদ্দেশ্যে ধৰ্ম-সভা আয়োজন হ'ব, সেই দিনা আপোনালোকে কোনো কাম নকৰিব। ৯ তাৰ পাছত আপোনালোকে সাত সপ্তাহ লেখ কৰিব। শস্যত প্ৰথমে কাচি লগোৱাৰে পৰা আৰম্ভ কৰি সাত সপ্তাহ গন্তি কৰিব। ১০ আৰু ঈশ্বৰ যিহোৱাই যি পৰিমাণে আশীৰ্ব্বাদ দিলে, সেই পৰিমাণে নিজ ইচ্ছাৰে দিয়া উপহাৰৰ দ্বাৰাই আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ উদ্দেশ্যে সেই সাত সপ্তাহৰ মুৰত হোৱা সেই পৰ্ব্ব পালন কৰিব। ১১ আৰু আপোনালোকৰ ঈশ্বৰ যিহোৱাই নিজৰ নাম স্থাপনৰ অৰ্থে যি ঠাই মনোনীত কৰিব, সেই ঠাইত, আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ আগত, আপোনালোকৰ পো-জী, বন্দী-বেটী, আপোনালোকৰ নগৰৰ দুৱাৰৰ ভিতৰত থকা লেবীয়া লোক, আৰু আপোনালোকৰ মাজত বাস কৰা বিদেশী, পিতৃহীন, আৰু বিধৱা, এই সকলোৰে সৈতে আনন্দ কৰিব। ১২ আৰু আপোনালোক মিচৰ দেশত যে বন্দীত্ব অৱস্থাত আছিল, তাক সোঁৱৰণ কৰিব; আৰু এই সকলো বিধি পালন কৰি সেই মতে কাৰ্য কৰিব। ১৩ পাছত আপোনালোকৰ শস্যমৰা ঠাইৰ আৰু দ্ৰাক্ষাকুণ্ডৰ পৰা যি গোটাব লগীয়া, তাক গোটোৱা হ'লে, আপোনালোকে সাত দিন পঁজা-পৰ্ব্ব পালন কৰিব। ১৪ আপোনালোকৰ সেই উৎসৱত আপোনালোকৰ পো-জী, বন্দী-বেটী আৰু আপোনালোকৰ নগৰৰ দুৱাৰৰ ভিতৰত থকা লেবীয়াসকল, বিদেশীসকল, পিতৃহীন, আৰু বিধৱা, এই সকলোৰে সৈতে আনন্দ কৰিব। ১৫ যি ঠাই যিহোৱাই মনোনীত কৰিব, সেই ঠাইত আপোনালোকে আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ উদ্দেশ্যে সাত দিন উৎসৱ পালন কৰিব। কিয়নো আপোনালোকৰ ভূমিত উৎপন্ন হোৱা সকলো দ্ৰব্যত আৰু হাতেৰে কৰা আটাই কাৰ্যত যিহোৱাই

আপোনালোকক আশীৰ্ব্বাদ কৰিব, আৰু আপোনালোক সকলোভাৱে
আনন্দিত হ’ব। ১৬ ঈশ্বৰ যিহোৱাই যি ঠাই মনোনীত কৰিব, সেই
ঠাইত বছৰত তিনিবাৰ, খমীৰ নিদিয়া পিঠাৰ উৎসৱত, সপ্তাহবোৰৰ
মুৰৰ উৎসৱত, আৰু পঁজা-পৰ্ব্বত তেওঁৰ আগত আটাই পুৰুষ উপস্থিত
হ’ব; কিন্তু শুদা হাতে তেওঁৰ আগত উপস্থিত হ’ব নালাগে। ১৭ ঈশ্বৰ
যিহোৱাই আপোনালোকক দিয়া আশীৰ্ব্বাদ অনুসাৰে প্ৰতিজনে নিজ
সমৰ্থ অনুসাৰে উপহাৰ আনিব। ১৮ ঈশ্বৰ যিহোৱাই আপোনাৰ
সকলো ফৈদ অনুসাৰে আপোনাক যিবোৰ নগৰ দিছে, সেইবোৰৰ
দুৱাৰৰ ভিতৰত আপুনি আপোনাৰ কাৰণে বিচাৰকৰ্ত্তা আৰু বিষয়া
নিযুক্ত কৰিব। তেওঁলোকে, ন্যায়ৰূপে প্ৰজাসকলক বিচাৰ কৰিব। ১৯
আপুনি বলপূৰ্বক অন্যায় বিচাৰ নকৰিব, আৰু কাৰো মুখলৈ নাচাব;
আৰু কাৰো পৰা ভেঁটি নল’ব, কিয়নো ভেঁটিয়ে জ্ঞানীসকলৰ চকু
অন্ধ কৰে, আৰু ধাৰ্মিকৰ কথা ওলোটাই। ২০ তাতে আপুনি জীয়াই
থাকি, আপোনাৰ ঈশ্বৰ যিহোৱাই যি দেশ দিছে, সেই দেশ অধিকাৰ
কৰিবলৈ সকলোভাৱে যি ন্যায়, সেই মতে চলিব। ২১ তাত আপুনি
আপোনাৰ ঈশ্বৰ যিহোৱাৰ উদ্দেশ্যে যি যজ্ঞ-বেদি নিৰ্ম্মাণ কৰিব, তাৰ
গুৰিত আচেৰা মুৰ্ত্তি বুলি কোনো প্ৰকাৰৰ কাঠ স্থাপন নকৰিব। ২২
আৰু আপোনাৰ ঈশ্বৰ যিহোৱাৰ দৃষ্টিত ঘিণ লগা কোনো স্তম্ভ স্থাপন
নকৰিব।

**১৭** ঈশ্বৰ যিহোৱালৈ আপোনালোকে কোনো ঘুণ কি খুঁত থকা গৰু,
মেৰ-ছাগ বা ছাগ বলিদান নকৰিব। কিয়নো সেয়ে আপোনালোকৰ
ঈশ্বৰ যিহোৱাৰ ঘিণলগীয়া। ২ ঈশ্বৰ যিহোৱাই আপোনালোকক যি যি
নগৰ দিছে, তাৰ কোনো নগৰৰ দুৱাৰৰ ভিতৰত যদি এনে পুৰুষ কি
স্ত্ৰীক তোমাৰ মাজত পোৱা যায়, যে, তেওঁলোকে গৈ তোমাৰ ঈশ্বৰ
যিহোৱাৰ নিয়মটি ভাঙি তেওঁৰ দৃষ্টিত কুকৰ্ম কৰি, আন দেৱতাক
সেৱা পূজা কৰিছে। ৩ আৰু সেই বোৰৰ আগত প্ৰণিপাত কৰিলে, বা
মই নিষেধ কৰা সূৰ্য, চন্দ্ৰ আদি আকাশৰ বাহিনীসকলৰ যি কোনো
এজনৰ আগত প্ৰণিপাত কৰে, ৪ আৰু সেইবোৰ আপোনালোকৰ
আগত কোৱা হ’ল, আৰু আপোনালোকে তাক শুনিলে, এই সকলো

আপোনালোকে শুনি সাৱধানতাৰে বিচাৰ কৰিব। ইস্রায়েলৰ মাজত
তেনে ঘিণলগীয়া কাৰ্য কৰা যদি হৈছে, সেই কথা যদি সঁচা আৰু নিশ্চয়
হয়, ৫ তেন্তে যি পুৰুষ কি স্ত্ৰীয়ে সেই কুকৰ্ম কৰিলে, সেই পুৰুষ কি
স্ত্ৰীক আপোনালোকৰ নগৰৰ দুৱাৰ- মুখলৈ উলিয়াই নি, তেওঁলোক
মৰাকৈ তেওঁলোকক শিল দলিয়াই মাৰিব। ৬ পাছত আপোনালোকে
সেই কথাৰ দুজন সাক্ষীৰ মুখেৰে শুনিহে, যাৰ প্ৰাণদণ্ড কৰিব লাগে,
তাৰ প্ৰাণদণ্ড কৰিব। এজন সাক্ষীৰ মুখেৰে তেওঁৰ প্ৰাণদণ্ড নহ'ব।
৭ তেওঁক বধ কৰিবলৈ, প্ৰথমে সাক্ষীসকলে, পাছত সকলো প্ৰজাই
তেওঁৰ বিৰুদ্ধে হাত উঠাব। এইদৰে আপুনি তেওঁলোকৰ মাজৰ পৰা
দুষ্টতা উৎখাত কৰিব। ৮ যদি তেওঁৰ বিচাৰ কৰিবলৈ আপোনালোকলৈ
কঠিন হ'য়, সেয়া হত্যায়েই হওঁক নাইবা দুৰ্ঘটনাৰ কাৰণেই হওঁক,
যদি দুজন লোকৰ বিবাদ আপোনালোকৰ নগৰৰ দুৱাৰৰ ভিতৰত
হ'য়; যদি তেওঁৰ বিচাৰ কৰিবলৈ আপোনালোকলৈ অতি কঠিন হয়,
তেন্তে আপোনালোকে উঠি, ঈশ্বৰ যিহোৱাই যি ঠাই মনোনীত কৰিব,
সেই ঠাইলৈ যাব, ৯ আৰু লেবীয়া পুৰোহিতসকলৰ আৰু সেইসময়ৰ
বিচাৰকৰ্ত্তাৰ গুৰিলৈ গৈ সুধিব; তাতে তেওঁলোকে আপোনালোকক
ৰায় দিব। ১০ পাছত যিহোৱাই যি ঠাই মনোনীত কৰিব, সেই ঠাইত
তেওঁলোকে আপোনালোকক যি ৰায় দিব, আপুনি সেইদৰেই কাৰ্য
কৰিব। তেওঁলোকে আপোনাক যি ক'ব, তাক সাৱধানে কৰিব। ১১
আপোনালোকক তেওঁলোকে যি ব্যৱস্থাৰ শিক্ষা দিব, আৰু যি শাসন-
প্ৰণালী ক'ব, সেই ব্যৱস্থা আৰু শাসন-প্ৰণালী অনুসাৰে আপুনি কাৰ্য
কৰিব। তেওঁলোকে দিয়া ৰায়ৰ সোঁ কি বাওঁফালে নুঘুৰিব। ১২ কিন্তু
যিকোনো লোকে গৰ্ব্ব কৰি, আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ পৰিচৰ্যা
কৰাৰ কাৰণে সেই ঠাইত থিয় হোৱা পুৰোহিতৰ, বা বিচাৰকৰ্ত্তাৰ
কথা নুশুনে, সেই মানুহৰ প্ৰাণদণ্ড হ'ব। এইদৰে আপুনি ইস্রায়েলৰ
মাজৰ পৰা তেনে দুষ্টতা দুৰ কৰিব। ১৩ তাত সকলো প্ৰজাই তাক
শুনি ভয় পাই সেইদৰে আৰু গৰ্ব্ব নকৰিব। ১৪ আপোনালোকৰ ঈশ্বৰ
যিহোৱাই আপোনালোকক যি দেশ দিছে, সেই দেশত সোমাই তাক
অধিকাৰ কৰি বাস কৰোঁতে, যেতিয়া ক'ব, "মোৰ চাৰিওফালে থকা

আটাই জাতিৰ দৰে মইও মোৰ ওপৰত এজন ৰজা পাতোঁ।” ১৫
তেতিয়া আপোনালোকৰ ঈশ্বৰ যিহোৱাই যি জনক মনোনীত কৰিব,
সেইজনকেই আপোনালোকৰ ওপৰত ৰজা পাতিব। আপোনালোকৰ
নিজৰ ভাইসকলৰ মাজৰ পৰা এজনক বাচি লৈ আপোনালোকৰ
ওপৰত ৰজা পাতিব। যি জন আপোনালোকৰ ভাই নহয়, এনে অনা-
ইহুদী লোকক আপোনালোকৰ ওপৰত ৰজা পাতিব নোৱাৰিব। ১৬
কেৱল তেওঁ নিজৰ কাৰণে অনেক ঘোঁৰা নাৰাখিব, বা অনেক ঘোঁৰা
ৰাখিবৰ মনেৰে প্রজাসকলক পুনৰায় মিচৰলৈ নপঠাব। কিয়নো
যিহোৱাই আপোনালোকক কৈছিল, ইয়াৰ পাছত “আপোনালোকে
সেই বাটেদি পুনৰায় উলটি নাযাব।” ১৭ আৰু তেওঁৰ মন যেন
অপথে নাযায়, এই কাৰণে তেওঁলোকৰ ছোৱালী বিয়া নকৰিব; আৰু
তেওঁ নিজৰ কাৰণে ৰূপ আৰু সোণ অধিককৈ নবঢ়াব। ১৮ যেতিয়া
তেওঁ সেই ৰাজসিংহাসনত বহিব, তেতিয়া তেওঁ নিশ্চয়কৈ লেবীয়া
পুৰোহিতসকলৰ আগত থকা পুস্তকখনিৰ পৰা এখন আন এখন পুস্তক
নিজৰ কাৰণে নকল কৰি লিখি থব। ১৯ ইস্রায়েলৰ মাজত নিজ
ৰাজ্যত তেওঁ আৰু তেওঁৰ সন্তান সকল দীৰ্ঘজীৱি হবৰ কাৰণে তেওঁ
যেন ভাইসকলৰ সন্মুখত অহংকাৰ নকৰে আৰু এই আজ্ঞাৰ সোঁ কি
বাওঁফালে যেন নুঘুৰে। ২০ এই কাৰণে নিজ ঈশ্বৰ যিহোৱাক ভয়
কৰিবলৈ শিকি, এই ব্যৱস্থাৰ সকলো বাক্য, আৰু বিধিবোৰ পালন
কৰি সেই মতে কাৰ্য কৰিবৰ অৰ্থে, সেই পুস্তকখনি তেওঁৰ ওচৰত
থাকিব, আৰু তেওঁ জীৱনৰ সকলো সময়ত তাক পাঠ কৰিব।

**১৮** লেবীয়া পুৰোহিতসকল আৰু লেবী গোষ্ঠীৰ সকলো লোকে আন
ইস্রায়েলীয়াসকলৰ দৰে কোনো ভূমি বা সম্পত্তিৰ আধিপত্য নাপাব।
তেওঁলোকে যিহোৱাৰ উদ্দেশ্যে হোমবলিৰ কাৰণে যি সকলো অনা
হ’ব আৰু যিহোৱাক আন যি সকলো আগবঢ়োৱা হ’ব, তেওঁলোকে
সেইবোৰ বস্তুহে খাব। ২ ইস্রায়েলীয়া ভাইসকলৰ মাজত তেওঁলোকৰ
উত্তৰাধিকাৰপ্রাপ্তি বুলি একো নাথাকিব। যিহোৱাই কৰা প্রতিজ্ঞা
অনুসাৰে যিহোৱাই হ’ব তেওঁলোকৰ উত্তৰাধিকাৰ। ৩ লোকসকলে
যিবোৰ গৰু-ছাগলী বা মেৰ-ছাগ বলি দিব, সেইবোৰৰ কান্ধ, গাল

দুখনৰ মাংস আৰু পাকস্থলী তেওঁলোকে পুৰোহিত সকলক দিব;
এইবোৰেই হ'ব পুৰোহিতসকলে পাবলগীয়া ভাগ। ৪ আপোনালোকৰ
প্ৰথমে চপোৱা শস্যৰ ফলবোৰ, নতুন দ্ৰাক্ষাৰস আৰু তেল, আৰু
মেৰ-ছাগৰ পৰা প্ৰথমবাৰ কাটি উলিওৱা নোম আপোনালোকে
পুৰোহিতক দিব। ৫ কিয়নো আপোনালোকৰ ঈশ্বৰ যিহোৱাই
আপোনালোকৰ সকলো গোষ্ঠীৰ মাজৰ পৰা লেবী গোষ্ঠীক আৰু
তেওঁলোকৰ বংশধৰসকলক বাছি ল'লে যাতে তেওঁলোকে সকলো
সময়তে যিহোৱাৰ নামেৰে পৰিচৰ্যা কাৰ্য কৰিব পাৰে। ৬ সমগ্ৰ
ইস্ৰায়েল দেশৰ কোনো নগৰৰ পৰা এজন লেবীয়াই যদি নিজৰ
বাসস্থান এৰি সম্পূৰ্ণ নিজ ইচ্ছাৰে যিহোৱাই মনোনীত কৰা ঠাইত
বাস কৰিবলৈ যায়, ৭ তেতিয়া আন সকলো লেবীয়া ভাইসকলৰ
দৰে তেৰোঁ ঈশ্বৰ যিহোৱাৰ উদ্দেশ্যে পৰিচৰ্যা কাৰ্য কৰিব লাগিব। ৮
সেই লেবীয়া লোকে পৈত্ৰিক সম্পত্তি বিক্ৰী কৰি পোৱা মূল্যৰ উপৰিও
সেই ঠাইৰ আন লেবীয়াসকলৰ লগত আহাৰৰ সমান ভাগ পাব। ৯
আপোনালোকৰ ঈশ্বৰ যিহোৱাই আপোনালোকক যি দেশ দিবলৈ
গৈছে, সেই দেশত সোমাই আন জাতিবোৰে যি সকলো ঘিণলগীয়া
কাৰ্য কৰে, আপোনালোকে সেই কাৰ্যবোৰ কৰিবলৈ নিশিকিব। ১০
আপোনালোকৰ মাজত যেন এনে কোনো লোক নাথাকে, যি জনে
নিজৰ সন্তানক হোমবলি উৎসৰ্গ কৰে, যি জনে মঙ্গল চায়, যি জনে
লক্ষণ চাই ভৱিষ্যতৰ কথা কয় বা মায়াবিদ্যা, যাদুবিদ্যাৰ অভ্যাস
কৰে, ১১ যি জনে তন্ত্ৰ-মন্ত্ৰৰে সন্মোহিত কৰে, যিজনে ভূতৰ পৰামৰ্শ
লয় আৰু মৃত লোকৰ আত্মাৰ লগত সম্পৰ্ক ৰাখে। ১২ এনেবোৰ
কাৰ্য কৰা সকলো লোক যিহোৱাৰ আগত ঘিণলগীয়া আৰু এনে
ঘৃণণীয় কাৰ্যৰ কাৰণেই আপোনালোকৰ ঈশ্বৰ যিহোৱাই সেই সকলো
জাতিক আপোনালোকৰ সন্মুখৰ পৰা দূৰ কৰিব। ১৩ আপোনালোক
আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ আগত নিৰ্দোষী হ'ব লাগিব। ১৪
আপোনালোকে যি জাতিবোৰক উদ্বাস্তু কৰি ভূমি অধিকাৰ কৰিব,
তেওঁলোকে মায়াবিদ্যা আৰু মঙ্গল চোৱা ভৱিষ্যত বক্তাসকলৰ কথা
শুনে। কিন্তু আপোনালোকক হ'লে আপোনালোকৰ ঈশ্বৰ যিহোৱাই

তেনে কৰিবলৈ নিষেধ কৰিছে। ১৫ আপোনালোকৰ ঈশ্বৰ যিহোৱাই
আপোনালোকৰ মাজৰ ভাইসকলৰ এজনক আপোনালোকৰ কাৰণে
মোৰ নিচিনা এজন ভাববাদীক উৎপন্ন কৰিব। আপোনালোকে তেওঁৰ
কথামতে চলিব লাগিব। ১৬ হোৰেব পাহাৰৰ ওচৰত আপোনালোক
সকলোৱেই যিহোৱাৰ সন্মুখত সমবেত হোৱাৰ দিনা আপোনালোকে
আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ ওচৰত ইয়াকে প্ৰাৰ্থনা কৰিছিল।
আপোনালোকে এইবুলি প্ৰাৰ্থনা কৰিছিল, "ঈশ্বৰ যিহোৱাৰ মাত
আমাক পুনৰ শুনিবলৈ নিদিব বা এই মহা-অগ্নি আমাক পুনৰ চাবলৈ
নিদিব; সেয়ে হ'লে আমি মৰি যাম।" ১৭ যিহোৱাই মোক কৈছিল,
"তেওঁলোকে ঠিকেই কৈছে। ১৮ মই তেওঁলোকৰ ভাইসকলৰ মাজৰ
পৰা তেওঁলোকৰ কাৰণে তোমাৰ দৰে এজন ভাববাদী উৎপন্ন কৰিম।
তেওঁৰ মুখেৰেই মই মোৰ কথা ক'ম আৰু মই যি সকলো কবলৈ তেওঁক
আজ্ঞা দিম, তেওঁ তাকে ক'ব। ১৯ সেই ভাৱবাদীয়ে মোৰ নামেৰে এই
যি কথা ক'ব, কোনোৱে যদি মোৰ সেই কথা নুশুনে, তেন্তে মই নিজে
তেওঁৰ পৰা তাৰ হিচাপ ল'ম। ২০ কিন্তু মই আজ্ঞা নিদিয়া কথা যদি
কোনো ভাববাদীয়ে মোৰ নাম লৈ অহংকাৰ কৰি ক'য়, অথবা যদি
আন কোনো দেৱতাৰ নামেৰে ক'য়, সেই ভাববাদী জনৰ অৱশ্যেই
প্ৰাণদণ্ড হ'ব।" ২১ "কোনো কথাত আপোনালোকে হয়তো মনতে
ভাৱিব পাৰে, 'এই বাৰ্তা যিহোৱাই কৈছে নে নাই, তাক আমি কেনেকৈ
জানিম?' ২২ কোনো ভাববাদীয়ে যদি যিহোৱাৰ নামেৰে কথা ক'য়
আৰু সেয়ে যদি পাছত সিদ্ধ নহয় বা নঘটে, তেন্তে জানিব লাগিব যে,
সেই কথা যিহোৱাই কোৱা নাই; সেই ভাৱবাদীয়ে অহংকাৰ কৰি সেই
কথা কৈছে। আপোনালোকে তেওঁক ভয় নকৰিব।"

**১৯** আপোনালোকৰ ঈশ্বৰ যিহোৱাই যি দেশ আপোনালোকক
আধিপত্যৰ বাবে দিব, সেই ঠাইৰ জাতিবোৰক যেতিয়া উচ্ছন্ন
কৰিব, আৰু আপোনালোকে তেওঁলোকৰ নগৰ আৰু ঘৰবোৰত বাস
কৰিবলৈ ধৰিব, ২ তেতিয়া যি দেশ ঈশ্বৰ যিহোৱাই অধিকাৰৰ অৰ্থে
আপোনালোকক দিব, আপোনালোকে সেই দেশৰ মধ্য ভাগত তিনিখন
নগৰ নিজৰ কাৰণে মনোনীত কৰি ল'ব লাগিব। ৩ সেই ঠাইলৈ যাবলৈ

এটা পথও আপোনালোকে নিৰ্মাণ কৰি ল’ব আৰু আপোনালোকৰ ঈশ্বৰ যিহোৱাই যি দেশত প্ৰৱেশ কৰাবলৈ আপোনালোকক নিছে, সেই দেশৰ সীমা আপোনালোকে তিনি ভাগত ভাগ কৰিব যাতে কোনো ব্যক্তিক হত্যা কৰা প্ৰতিজন হত্যাকাৰী তালৈ পলাই যাব পাৰে। ৪ সেই ঠাইলৈ পলাই গৈ বাস কৰাই হৈছে কোনো হত্যাকৰীৰ বাবে এই নিয়ম। পূৰ্বে মনত কোনো ঘৃণা নাৰাখি কোনোৱে যদি অজ্ঞাতে কাৰোবাক হত্যা কৰে, ৫ যেনেকৈ এজন লোক নিজৰ চুবুৰীয়াৰ সৈতে কাঠ কাটিবলৈ হাবিলৈ গ’ল আৰু গছ কাটিবলৈ কুঠাৰখন দাঙিলত, সেই কুঠাৰ নালৰ পৰা সুলকি পৰি চুবুৰীয়াক আঘাত কৰিলে, তাতে তেওঁৰ মৃত্যু হ’ল; তেতিয়া সেই ব্যক্তিজনে সেই তিনিখনৰ মাজৰ কোনো এখন নগৰলৈ পলাই গৈ তাতে বাস কৰি থাকিব পাৰিব; ৬ তেওঁ এইদৰে কৰা উচিত, কিয়নো ৰক্তপাতৰ প্ৰতিশোধ লবলৈ নিহত ব্যক্তিৰ কোনো নিকট আত্মীয়ই খঙতে তেওঁক পাছে পাছে খেদি যাব পাৰে; আশ্ৰয় নগৰখনৰ বাট বহু দূৰ হ’লে, নগৰত সোমোৱাৰ আগেয়ে আত্মীয়ই ক্ৰুদ্ধ হৈ তেওঁক ধৰি বধ কৰিব পাৰে; যদিও সেই ব্যক্তি মৃত্যুদণ্ডৰ যোগ্য নাছিল; কিয়নো তেওঁ মনত কোনো ঘৃণা লৈ সেই ব্যক্তিজনক হত্যা কৰা নাছিল। ৭ এই কাৰণতে মই আপোনালোকৰ নিজৰ বাবে তিনিখন নগৰ নিৰ্বাচন কৰিবলৈ আজ্ঞা দিছো। ৮ যদি আপোনালোকৰ ঈশ্বৰ যিহোৱাই আপোনালোকৰ পূৰ্বপুৰুষসকলৰ ওচৰত প্ৰতিজ্ঞা কৰাৰ দৰে গোটেই দেশ দিয়ে আৰু আপোনালোকৰ সীমাবোৰ বৃদ্ধি কৰে, ৯ মই আজি আপোনালোকক দিয়া সকলো আজ্ঞা যদি আপোনালোকে মানি চলে - যদি আপোনালোকে আপোনালোকৰ ঈশ্বৰ যিহোৱাক প্ৰেম কৰে আৰু তেওঁৰ পথত চলে, তেতিয়া আপোনালোকে সেই তিনিখন নগৰৰ উপৰিও পুনৰ তিনিখন নগৰ নিজৰ বাবে যোগ দিব। ১০ আপোনালোকে এইদৰে কাৰ্য কৰিব, যাতে আপোনালোকৰ ঈশ্বৰ যিহোৱাই আধিপত্যৰ অৰ্থে আপোনালোকক যি দেশ দিব সেই দেশৰ মাজত নিৰ্দ্দোষীলোকৰ ৰক্তপাত নহ’ব আৰু নিৰ্দোষী লোকৰ ৰক্তপাতৰ দোষত আপোনালোকো দোষী নহ’ব। ১১ কিন্তু কোনোৱে যদি আন

ব্যক্তিক ঘৃণা কৰি হত্যা কৰাৰ কাৰণে অপেক্ষা কৰি থাকে আৰু তেওঁৰ
বিৰুদ্ধে উঠি আঘাত কৰি বধ কৰে, তাৰ পাছত সেই তিনিখন নগৰৰ
কোনো এখনলৈ যদি তেওঁ পলাই যায়,
১২ তেন্তে তেওঁৰ নগৰৰ
বৃদ্ধলোকে মানুহ পঠাই সেই আশ্ৰয় নগৰৰ পৰা হত্যাকাৰীজনক ধৰি
আনিব আৰু তেওঁক বধ কৰি ৰক্তপাতৰ প্ৰতিশোধ লবলৈ নিহতৰ
আত্মীয়ৰ হাতত শোধাই দিব।
১৩ আপোনালোকে তেওঁলৈ কোনো
দয়া নেদেখুৱাব। কিন্তু, তাৰ পৰিবৰ্তে আপোনালোকে ইস্ৰায়েলৰ
মাজৰ পৰা নিৰ্দ্দোষী লোকৰ ৰক্তপাতৰ দোষ মছি পেলাব। তাতে
আপোনালোকৰ মঙ্গল হ'ব।
১৪ আপোনালোকৰ ঈশ্বৰ যিহোৱাই
যি দেশ আধিপত্যৰ অৰ্থে আপোনালোকক প্ৰৱেশ কৰিবলৈ দিব,
প্ৰতিবেশীৰ ভূমিৰ সীমাৰ চিহ্ন কেতিয়াও নলৰাব। বহুদিনৰ আগেয়ে
সেই চিহ্নবোৰ তাত ৰখা হৈছিল।
১৫ কোনো ব্যক্তিয়ে কৰা অপৰাধৰ
বাবে বা পাপ কাৰ্যৰ বাবে, তেওঁৰ বিৰুদ্ধে যদি গোচৰ অনা হয়,
তেন্তে কেৱল এজন সাক্ষী থিয় হ'লে নহ'ব; দুই বা তিনিজন সাক্ষীৰ
মুখেৰেহে কোনো বিষয় সত্য ৰূপে প্ৰমাণিত হ'ব।
১৬ যদি কোনো
অধাৰ্মিক সাক্ষীয়ে কোনো লোকৰ ভুল কাৰ্যৰ হৈ সাক্ষ্য দিবলৈ উঠে,
১৭ তেন্তে সেই বিষয়ত জড়িত উভয় লোক সেই সময়ৰ পুৰোহিত
আৰু বিচাৰকসকলৰ আগত যিহোৱাৰ সাক্ষাতে থিয় হ'ব লাগিব;
১৮
বিচাৰকসকলে বিষয়টো ভালদৰে তদন্ত কৰিব; যদি তেওঁ নিজৰ
ইস্ৰায়েলীয়া ভাইৰ বিৰুদ্ধে মিছা সাক্ষী দিয়াৰ দ্বাৰা মিথ্যাবাদী বুলি ধৰা
পৰে,
১৯ তেন্তে, তেওঁ নিজ ভাইলৈ যিহকে কৰিব বিচাৰিব, তাকে
তেওঁলৈ কৰিব; এইদৰে আপোনালোকে আপোনালোকৰ মাজৰ পৰা
তেনে দুষ্টতা দূৰ কৰিব লাগিব।
২০ তাতে এই কথা শুনি বাকী সকলো
ইস্ৰায়েলীয়া লোকে ভয় খাব আৰু এই ধৰণৰ অন্যায় কাৰ্য তেওঁলোকে
তেতিয়াৰে পৰা আপোনালোকৰ মাজত পুনৰ কেতিয়াও নকৰিব।
২১
আপোনালোকে তেওঁৰ প্ৰতি কোনো দয়া নেদেখুৱাব; প্ৰাণৰ সলনি
প্ৰাণ, চকুৰ সলনি চকু, দাঁতৰ সলনি দাঁত, হাতৰ সলনি হাত, ভৰিৰ
সলনি ভৰি ল'ব।

২০ যুদ্ধ কৰিবলৈ যাওঁতে শত্ৰু পক্ষত আপোনালোকতকৈ অধিক
সংখ্যাৰ ঘোঁৰা, ৰথ আৰু সেনাদল দেখি আপোনালোকে ভয় নকৰিব;
কিয়নো, আপোনালোকৰ ঈশ্বৰ যিহোৱা, যি জনে মিচৰ দেশৰ পৰা
আপোনালোকক বাহিৰ কৰি আনিছে, তেওঁ আপোনালোকৰ লগত
আছে। ২ যেতিয়া আপোনালোকে যুদ্ধলৈ যাবলৈ সাজু হ'ব, পুৰোহিতে
আগবাঢ়ি আহি সৈন্যদলক উদ্দেশ্যি ক'ব, ৩ "হে ইস্রায়েলীয়াসকল,
শুনা, আজি তোমালোকৰ শত্ৰুবোৰৰ লগত যুদ্ধ কৰিবলৈ তোমালোক
ওচৰ চাপিছা; তোমালোকৰ হৃদয়ত সাহস নেহেৰুৱাবা; ভয় নকৰিবা
বা কম্পিত নহ'বা আৰু শত্ৰুপক্ষক দেখি ভয়ত ত্ৰাসিত নহ'বা।
৪ কিয়নো, তোমালোকক ৰক্ষা কৰিবলৈ আৰু শত্ৰুবোৰৰ বিৰুদ্ধে
যুদ্ধ কৰিবলৈ তোমালোকৰ ঈশ্বৰ যিহোৱায়েই তোমালোকৰ লগত
গৈছে।" ৫ তাৰ পাছত বিষয়াসকলে সৈন্যবোৰক ক'ব, "তোমালোকৰ
মাজত নতুন ঘৰ সাজি প্ৰতিষ্ঠা নকৰাকৈ থকা কোনো লোক আছে
নেকি? যদি আছে, তেন্তে তেওঁ নিজৰ ঘৰলৈ উলটি যাওক; নহ'লে
তেওঁৰ যুদ্ধত মৃত্যু হ'লে, মৰিলে, আন কোনোবাই সেই ঘৰ প্ৰতিষ্ঠা
কৰিব। ৬ দ্ৰাক্ষাবাৰী পাতি তাৰ ফল ভোগ নকৰাকৈ কোনো লোক
আছে নেকি? তেৰোঁ নিজ ঘৰলৈ উলটি যাওঁক। নহ'লে তেওঁৰ যুদ্ধত
মৃত্যু হ'লে, আনে তাৰ ফল ভোগ কৰিব। ৭ বিয়াৰ সম্বন্ধ হোৱাৰ
পাছত বিয়া নকৰাকৈ থকা কোনো লোক আছে নেকি? তেন্তে তেওঁ
নিজ ঘৰলৈ উলটি যাওক; নহ'লে তেওঁৰ যুদ্ধত মৃত্যু হ'লে, আনে
সেই ছোৱালীক বিয়া কৰিব।" ৮ সেই বিষয়াসকলে পুনৰ ক'ব যে,
"তোমালোকৰ মাজত কোনো ভয়াতুৰ বা সাহস নথকা হৃদয়ৰ লোক
আছে নেকি? তেন্তে তেওঁ নিজ ঘৰলৈ উলটি যাওঁক; নহ'লে আন
ইস্ৰয়েলীয়া ভাইসকলৰ মনোবল তেওঁৰ হৃদয়ৰ দৰে ভাঙি পৰিব।" ৯
সৈন্যসকলৰ ওচৰত কথা কোৱা শেষ কৰি বিষয়াসকলে সৈন্যদলৰ
ওপৰত সেনাপতি নিযুক্ত কৰিব। ১০ আপোনালোকে কোনো নগৰ
আক্ৰমণ কৰিবলৈ যাওঁতে, প্ৰথমতে সেই ঠাইৰ লোকসকলৰ ওচৰত
শান্তিৰ প্ৰস্তাৱ আগবঢ়াব। ১১ যদি তেওঁলোকে প্ৰস্তাৱ গ্ৰহণ কৰে আৰু
তেওঁলোকৰ দুৱাৰবোৰ আপোনালোকলৈ মুকলি কৰি দিয়ে, তেন্তে

সেই ঠাইৰ সকলো লোক আপোনালোকৰ অধীনত ক্ৰীতদাস হ’ব
আৰু আপোনালোকৰ কাৰণে কাৰ্য কৰিবলৈ বাধ্য হ’ব। ১২ কিন্তু যদি
শান্তিৰ প্ৰস্তাৱ প্ৰত্যাখান কৰে আৰু তাৰ পৰিবৰ্তে আপোনালোকৰ
বিৰুদ্ধে যুদ্ধ কৰে, তেতিয়া আপোনালোকে সেই নগৰ অৱৰোধ কৰিব।
১৩ আপোনালোকৰ ঈশ্বৰ যিহোৱাই যেতিয়া আপোনালোকক জয়ী
কৰিব আৰু সেই ঠাই আপোনালোকৰ হাতত তুলি দিব, তেতিয়া নগৰৰ
সকলো পুৰুষকে আপোনালোকে বধ কৰিব। ১৪ কিন্তু মহিলাসকলক,
শিশুসকলক আৰু পশুপাল আদি কৰি সেই নগৰত থকা আন সকলো
বস্তু আপোনালোকে লুটদ্ৰব্যৰ সামগ্ৰীৰূপে নিজৰ কাৰণে নিব পাৰিব।
শত্ৰুবোৰৰ দেশৰ পৰা লুট কৰা যি সকলো বস্তু আপোনালোকৰ
ঈশ্বৰ যিহোৱাই দিব, তাক আপোনালোকে ভোগ কৰিব পাৰিব।
১৫ যিবোৰ নগৰ আপোনালোকৰ দেশৰ পৰা অনেক দূৰৈত আছে,
যিবোৰ আপোনালোকৰ ওচৰৰ জাতিবোৰৰ নগৰ নহয়, সেইবোৰৰ
প্ৰতি আপোনালোকে সেইদৰে কৰিব। ১৬ কিন্তু আপোনালোকৰ
ঈশ্বৰ যিহোৱাই আধিপত্যৰ অৰ্থে এই জাতিবোৰৰ যি সকলো নগৰ
আপোনালোকক দিব, সেইবোৰ ঠাইৰ কোনো প্ৰাণীকে আপোনালোকে
জীৱিত নাৰাখিব; ১৭ কিন্তু আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ আজ্ঞা
অনুসাৰে আপোনালোকে হিত্তীয়া, ইমোৰীয়া, কনানীয়া, পৰিজ্জীয়া,
হিব্বীয়া আৰু যিবুচীয়া লোকসকলক সম্পূৰ্ণভাৱে ধ্বংস কৰি পেলাব।
১৮ এনে নহওঁক যে যি ঘৃণনীয় কাৰ্য তেওঁলোকে নিজৰ দেৱতাবোৰৰ
পূজাৰ উদ্দেশ্যে কৰে, সেইবোৰ আপোনালোককো শিকাব। তাতে
আপোনালোকে আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ বিৰুদ্ধে পাপ কৰিব।
১৯ আপোনালোকে অনেক দিন ধৰি যেতিয়া কোনো নগৰ অৱৰোধ
কৰি ৰাখি অধিকাৰ কৰিবলৈ যুদ্ধ কৰি থাকিব, তেতিয়া তাত থকা
গছবোৰ কুঠাৰেৰে কাটি নষ্ট নকৰিব। কিয়নো সেই গছবোৰৰ ফল
আপোনালোকে খাব পাৰিব। সেয়ে আপোনালোকে গছবোৰ নাকাটিব।
পথাৰৰ গছবোৰ জানো মানুহ যে, সেইবোৰক আপোনালোকে অৱৰোধ
কৰিব? ২০ কিন্তু যিবোৰ গছৰ ফল খাব পৰা নাযায় বুলি জানিব,
কেৱল তেনে গছহে কাটি নষ্ট কৰিব পাৰিব আৰু যি ঠাইৰ লোকসকলে

আপোনালোকৰ লগত যুদ্ধ কৰিব, তেওঁলোকৰ পতন নোহোৱালৈকে সেই গছবোৰক আপোনালোকে আত্মৰক্ষাৰ গড় কৰি ব্যৱহাৰ কৰিব পাৰিব।

**২১** আপোনাৰ ঈশ্বৰ যিহোৱাই, যি দেশ অধিকাৰৰ অৰ্থে আপোনাক দিছে, তাৰ পথাৰত যদি কোনো লোকৰ মৃতদেহ পৰি থকা দেখা পোৱা, কিন্তু তাক কোনে হত্যা কৰিলে সেয়ে জনা নাযায়; ২ তেতিয়া আপোনালোকৰ মাজৰ বয়জ্যেষ্ঠলোক আৰু বিচাৰকৰ্ত্তাসকল বাহিৰলৈ গৈ, সেই হতহোৱা লোকজনৰ মৃতদেহৰ চাৰিওফালে থকা নগৰবোৰৰ দুৰত্বৰ মাপ ল'ব। ৩ যেতিয়া আপোনালোকে নিহত ব্যক্তিজনৰ সকলোতকৈ ওচৰত থকা চহৰ খনৰ বিষয়ে জানিব, সেই নগৰৰ বৃদ্ধ লোকসকলে, জাকৰ পৰা এনে এজনী চেঁউৰী গৰু ল'ব যাৰ দ্বাৰাই যুৱলি টনা আদি কোনো কাম কৰোঁৱা নাই। ৪ পাছত সেই নগৰৰ বৃদ্ধ লোকসকলে চেঁউৰী গৰুজনী লৈ, হাল নোবোৱা, গুটি নিসিচাঁ পানী বৈ থকা এনে উপত্যকালৈ নামি গৈ, সেই উপত্যকাত গৰুজনীৰ ডিঙি বিচ্ছেদ কৰিব। ৫ আৰু লেবীসকলৰ সন্তান পুৰোহিতসকলো অৱশ্যেই তালৈ যাব; কিয়নো আপোনাৰ ঈশ্বৰ যিহোৱাই নিজৰ পৰিচৰ্যা কৰিবলৈ আৰু যিহোৱাৰ নামেৰে আশীৰ্ব্বাদ কৰিবলৈ এই লোকসকলকেই মনোনীত কৰিলে; আৰু তেওঁলোকে বাক্য অনুসাৰে প্ৰত্যেক বিবাদ আৰু আঘাতৰ বিচাৰ নিস্পত্তি কৰিব। ৬ সেই শৱটোৰ ওচৰত থকা নগৰৰ উপত্যকাত আটাই বৃদ্ধসকলে, গৰুজনীৰ দিঙি বিচ্ছেদ কৰাৰ ওপৰত নিজৰ নিজৰ হাত ধুব। ৭ আৰু এই লোকসকলে ক'ব "আমাৰ হাতে এই ৰক্তপাত কৰা নাই আৰু আমি এই ঘটনাও দেখা নাই। ৮ হে যিহোৱা, তুমি মুক্ত কৰা তোমাৰ প্ৰজা ইস্ৰায়েলক ক্ষমা কৰি, তোমাৰ প্ৰজা ইস্ৰায়েলৰ গাত নিৰ্দোষীৰ ৰক্তপাতৰ দোষ নেপেলাবা।" তাতে তেওঁলোকলৈ সেই ৰক্তপাতৰ দোষ ক্ষমা কৰা হ'ব। ৯ এইদৰে আপোনালোকে যিহোৱাৰ দৃষ্টিত যি ভাল, তাকেই কৰি আপোনালোকৰ মাজৰ পৰা নিৰ্দ্দোষীৰ ৰক্তপাতৰ দোষ দূৰ কৰিব। ১০ যেতিয়া আপোনালোকে আপোনালোকৰ শত্ৰুবোৰৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ যাব, তেতিয়া আপোনাৰ ঈশ্বৰ যিহোৱাই সেই

লোকসকলক পৰাস্ত কৰিব আৰু আপোনালোকে শত্ৰুবোৰক বন্দীকৰি আনিব পাৰিব। ১১ আৰু সেই বন্দী কৰি অনা লোকসকলৰ মাজত কোনো সুন্দৰী যুৱতীক দেখি মুগ্ধহৈ আপুনি যদি তাইক বিয়া কৰি পত্নী কৰিব খোজে, ১২ তেন্তে তেওঁক আপোনাৰ ঘৰলৈ নিব আৰু তাই নিজৰ মুৰ খুৰাই নখ কাটি, ১৩ বন্দী অৱস্থাৰ কাপোৰ সোলোকাই থৈ, আপোনাৰ ঘৰত থাকি বাপেক-মাকৰ কাৰণে পুৰা এমাহ শোক প্ৰকাশ কৰিব; তাৰ পাছত আপুনি তাইৰ ওচৰলৈ যাব পাৰিব বা তেওঁৰ স্বামী হ'ব, আৰু তাই আপোনাৰ ভাৰ্য্যা হ'ব। ১৪ পাছত যদি আপুনি তেওঁকলৈ সুখী নহয়নো, তেন্তে যি ঠাইলৈ তেওঁ যাবলৈ ইচ্ছা কৰে, সেই ঠাইলৈকে যাবলৈ দিব; কিন্তু কোনো ধন লৈ তাইক নেবেচিব, আপুনি তাইলৈ বেটী বা দাসীৰ নিচিনাকৈ ব্যৱহাৰ নকৰিব, কিয়নো আপুনি তাইক অপদস্থ কৰিলে। ১৫ যদি কোনো পুৰুষৰ দুগৰাকী ভাৰ্যা থাকে, এগৰাকী তেওঁৰ মৰমৰ আন গৰাকী ঘৃণাৰ। দুয়োগৰাকীয়ে তেওঁলৈ সন্তান জন্ম দিয়ে, কিন্তু বৰ পুতেক যদি ঘৃণাৰ গৰাকীৰ সন্তান হয়; ১৬ তেতিয়া সেই ব্যক্তিয়ে পুতেক কেইজনক সম্পত্তিৰ ভাগকৰা দিনা, ঘৃণাৰ গৰাকীৰ পৰা হোৱা বৰ পুতেক থাকোঁতে, তেওঁ মৰমৰ গৰাকীৰ পুতেকক জ্যেষ্ঠাধিকাৰ দিব নোৱাৰিব। ১৭ কিন্তু অৱশ্যেই তেওঁ সকলো সম্পত্তিৰ দুভাগ দি এলাগীজনীৰ পুতেককে বৰ-পো বুলি স্বীকাৰ কৰিব। কাৰণ সেই সন্তান তেওঁৰ প্ৰথম সন্তান। প্ৰথমে জন্মপোৱা হিচাবে সমস্ত জ্যেষ্ঠাধিকাৰ তেওঁৰ আছে। ১৮ কোনো এজন মাক-বোপেকৰ যদি জেদী ও বিৰোধী বা মাক দেউতাকৰ কথা নুশুনা আৰু শাস্তি দিলেও তেওঁলোকৰ কথা শুনিবলৈ অস্বীকাৰ কৰা ল'ৰা, কোনো মানুহৰ থাকিলে; ১৯ সেই ল'ৰা জনৰ বাপেক-মাকে তেওঁক ধৰি, নিজৰ নগৰৰ বয়জ্যেষ্ঠসকলৰ ওচৰলৈ আৰু তেওঁলোকে নিবাস কৰা নগৰৰ দুৱাৰ-মুখলৈ লৈ আহিব। ২০ নগৰৰ বয়জ্যেষ্ঠ লোকসকলক ক'ব "আমাৰ এই লৰাটি অবাধ্য আৰু বিৰোধী, আমাৰ কথা নুশুনে, তেওঁ অপব্যয়ী আৰু মদপী।" ২১ তেতিয়া ল'ৰাজন নিবাস কৰা নগৰৰ সকলো লোকে ল'ৰা জনক শিল দলিয়াই বধ কৰিব। এইদৰে আপোনালোকে আপোনালোকৰ মাজৰ পৰা দুষ্টতা

দূৰ কৰিব। তাতে ইস্রায়েলৰ লোকসকলে এই বিষয়ে শুনি ভয় পাব।
২২ পাছত কোনো মানুহে যদি প্ৰাণ দণ্ডৰ যোগ্য পাপ কৰে আৰু তেওঁৰ
প্ৰাণদণ্ড হয়; তেওঁৰ মৃত দেহতো এডাল গছত আঁৰি ৰাখিব; ২৩
কিন্তু তেওঁৰ মৃতদেহটো ৰাতি গছডালৰ ওপৰতে ৰাখি নথব; বৰং
একেদিনাই দেহটো পুতি পেলাব। কিয়নো যি জনৰ শৰ আঁৰি থোৱা
হয় তেওঁ ঈশ্বৰৰ অভিশপ্ত। সেই কাৰণেই আপোনালোকৰ ঈশ্বৰ
যিহোৱাই অধিকাৰৰ অৰ্থে যি দেশ আপোনালোকক দিবলৈ গৈছে,
আপোনালোকে সেই দেশ অশুচি নকৰিব।

২২ আপোনালোকে ইস্রায়েলীয়া কোনো ভাইৰ গৰু বা মেৰ-ছাগে
বাট হেৰুৱাই অন্যফালে যোৱা দেখিলে, তালৈ অৱহেলা নকৰিব।
আপোনালোকৰ ভাইৰ ওচৰলৈ অৱশ্যে তাক ওভটাই নিব। ২ যদি
আপোনালোকৰ সেই ইস্রায়েলীয়া ভাই ওচৰত নাই, বা সেই ভাই কোন
হয় তাক নাজানে, তেন্তে সেই পশুক আপোনালোকে নিজৰ ঘৰলৈ লৈ
যাব আৰু সেই ভায়ে বিচাৰি নাহে মানে তাক আপোনালোকৰ ঘৰতে
ৰাখি থ'ব; পাছত বিচাৰি আহিলে আপোনালোকে তাক ওলোটাই
দিব। ৩ আপোনালোকে তেওঁৰ গাধলৈকো একেদৰেই কৰিব; আৰু
তেওঁলোকৰ কাপোৰ-কানিলৈকো সেইদৰেই কৰিব; আপোনালোকৰ
ইস্রায়েলীয়া সকলৰ হেৰোৱা যিকোনো বস্তু আপোনালোকে পায়,
সেই সকলো বিষয়তে আপোনালোকে সেই একেদৰেই কৰিব;
আপোনালোকে নিজৰ মতে লুকুৱাই নাৰাখিব। ৪ আপোনালোকৰ
কোনো ভাইৰ গাধ বা গৰু বাটত পৰি থকা দেখিলে, আপোনালোকে
সেইবোৰলৈ অৱহেলা নকৰিব; সেইবোৰক পুনৰাই উঠিবলৈ সহায়
কৰিব। ৫ পুৰুষৰ অধিকাৰত থকা কোনো পোছাক মহিলাই পৰিধান
কৰিব নালাগে, বা পুৰুষেও মহিলাৰ পোছাক পিন্ধিব নালাগে; কিয়নো
যি কোনোৱে তেনে কাৰ্য কৰে, আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ
দৃষ্টিত তেওঁলোক বিতৃষ্ণাজনক। ৬ আপোনালোকে বাটৰ কাষত থকা
গছত বা মাটিত থকা কোনো চৰাইৰ বাঁহত চৰাইৰ মাকে পোৱালীৰ
ওপৰত বা কণীৰ ওপৰত উমনিত বহি থকা যদি দেখা পায়, তেন্তে
আপোনালোকে পোৱালিবোৰৰ সৈতে চৰাইজনীক ধৰি লৈ নাযাব। ৭

আপোনালোকে পোৱালিবোৰক লৈ যাব পাৰে, কিন্তু মাকক অৱশ্যেই আপোনালোকে এৰি দিব লাগিব। তাতে আপোনালোকৰ উন্নতি হ'ব আৰু আপোনালোকৰ আয়ুস দীঘল হ'ব। ৮ ঘৰ নিৰ্ম্মাণ কৰাৰ সময়ত আপোনালোকে ছাদৰ চাৰিওঁফালে বেৰা দিব, যাতে কোনো ঘৰৰ ছাদৰ ওপৰৰ পৰা পৰি কোনো মানুহৰ মৃত্যু হ'লে, সেই ঘৰৰ লোক তাৰ ৰক্তপাতৰ দায়ী নহ'ব। ৯ দ্রাক্ষাবাৰীত আপোনালোকে দুই জাতৰ বীজ নলগাব; তেনে কৰিলে আপোনালোকে সিচাঁ বীজৰ শস্য আৰু দ্রাক্ষাবাৰীৰ ফল উভয়ে অপবিত্র হ'ব। ১০ গৰু আৰু গাধ দুয়োকে একজুঁট কৰি হাল নাবাব। ১১ উল আৰু শণ সুতা মিহলাই বোৱা কাপোৰ নিপিন্ধিব। ১২ আপোনালোকৰ গাত লোৱা চাদৰৰ চাৰি কোণা, পকোৱা সুতাৰে দহি বটিব। ১৩ কোনোলোকে যদি বিয়া কৰি ভাৰ্যাক লৈ শোৱাৰ পাছত তাইক পছন্দ নকৰে ১৪ আৰু তাইৰ অহিতে অনৰ্থক অপবাদ দি ক'য়, “মই এই মহিলাক বিয়া কৰিলোঁ হয়, কিন্তু তাই যে কুমাৰী ছোৱালী তাইৰ ওচৰত সেই প্রমাণ মই নাপালোঁ।” ১৫ তেতিয়া সেই ছোৱালীৰ বাপেক-মাকে নগৰৰ দুৱাৰত বৃদ্ধ নেতাসকলৰ ওচৰলৈ তাইৰ সতীত্বৰ প্রমাণ লৈ যাব। ১৬ ছোৱালীজনীৰ বাপেকে বৃদ্ধ নেতাসকলক ক'ব, “মই এই মানুহৰ সৈতে মোৰ জীক বিয়া দিছিলোঁ কিন্তু তেওঁ তাইক পচন্দ নকৰে। ১৭ এতিয়া তেওঁ তাইক অপবাদ দি কৈছে, ‘মই তাইক কুমাৰী অৱস্থাত পোৱা নাই।’ কিন্তু এইয়া চাওঁক মোৰ ছোৱালীৰ সতীত্বৰ প্রমাণ।” এই বুলী কৈ তেওঁলোকে বৃদ্ধ নেতাসকলৰ আগত কাপোৰখন মেলি দেখুৱাব। ১৮ পাছত নগৰৰ বৃদ্ধ নেতাসকলে সেই পুৰুষক ধৰি আনি শাস্তি দিব। ১৯ সেই পুৰুষৰ পৰা তেওঁলোকে জৰিমনা হিচাবে এশ চেকল ৰূপ আদায় কৰি ছোৱালী জনীৰ বাপেকক দিব, কিয়নো সেই মানুহে এগৰাকী ইস্রায়েলীয়া কুমাৰীৰ দুৰ্নাম কৰিলে; তাৰ উপৰিও ছোৱালী জনী তেওঁৰ ভাৰ্যা হৈ থাকিব আৰু তেওঁ জীয়াই থাকে মানে তাইক এৰিব নোৱাৰিব। ২০ কিন্তু কথাটো যদি সত্য হয় আৰু ছোৱালীজনীৰ সতীত্বৰ কোনো প্রমাণ পোৱা নাযায়, ২১ তেন্তে তেওঁলোকে ছোৱালীজনীক নিজৰ বাপেকৰ ঘৰৰ দুৱাৰ মুখলৈ

উলিয়াই আনিব, আৰু নগৰৰ পুৰুষসকলে তাইক শিল দলিয়াই বধ কৰিব। কিয়নো তাই নিজৰ বাপেকৰ ঘৰত থকাৰ সময়ত ব্যভিচাৰ কৰি ইস্ৰায়েলীয়া সকলৰ মাজত ভীষণ ঘৃণণীয় কাম কৰিলে। এইদৰেই ইস্ৰায়েলীয়া সকলৰ মাজৰ পৰা দুষ্টতা দূৰ কৰিব। ২২ যদি আন কোনো লোকৰ ভাৰ্যাৰ লগত কোনো পুৰুষে শয়ন কৰোঁতে ধৰা পৰে, তেন্তে মহিলাগৰাকীৰ লগত শয়ন কৰা পুৰুষ আৰু মহিলা দুয়োৰে প্ৰাণ দণ্ড হ'ব; এইদৰে আপোনালোকে আপোনালোকৰ মাজৰ পৰা দুষ্টতা দূৰ কৰিব। ২৩ যদি কোনো লোকলৈ বাগদান কৰি কুমাৰী ছোৱালীক আন কোনো মানুহে নগৰৰ মাজত পাই তাইৰ লগত শয়ন কৰে, ২৪ তেন্তে আপোনালোকে তেওঁলোক দুয়োকে সেই নগৰৰ দুৱাৰ মুখলৈ উলিয়াই আনিব আৰু মৃত্যু নোহোৱা পৰ্যন্ত তেওঁলোকক শিল দলিয়াই বধ কৰিব। নগৰৰ মাজত থাকিও ছোৱালীজনীয়ে চিঞৰ-বাখৰ নকৰাৰ কাৰণে তাইক আৰু আন এজন ইস্ৰায়েলীয়া ভাইৰ ভাৰ্যাক নষ্ট কৰাৰ কাৰণে পুৰুষজনক শিল দলিয়াই বধ কৰিব। এইদৰে আপোনালোকে আপোনালোকৰ মাজৰ পৰা দুষ্টতা দূৰ কৰিব। ২৫ কিন্তু যদি কোনো বাগদত্তা ছোৱালীক পথাৰৰ নিৰ্জন ঠাইত পাই, বলেৰে ধৰি কোনো পুৰুষে তাইৰ লগত শয়ন কৰে, তেন্তে যি পুৰুষে শয়ন কৰে, কেৱল তেওঁৰহে প্ৰাণদণ্ড হ'ব; ২৬ কিন্তু ছোৱালীজনীক হ'লে আপোনালোকে একো নকৰিব। প্ৰাণদণ্ডৰ যোগ্য কোনো পাপ তাই কৰা নাই; কিয়নো, ই এজনে আন এজনৰ বিৰুদ্ধে উঠি তেওঁক বধ কৰাৰ দৰেই হয়। ২৭ পুৰুষজনে পথাৰতহে তাইক পালে, সেই বাগদত্তা ছোৱালীজনীয়ে যদিও চিঞঁৰ মাৰিছিল, কিন্তু তাইক উদ্ধাৰ কৰিবলৈ তাত কোনো নাছিল। ২৮ বাগদত্তা নোহোৱা এনে কোনো কুমাৰীক যদি কোনো পুৰুষে পাই বলেৰে ধৰি তাইৰ লগত শয়ন কৰে আৰু যদি তেওঁলোক ধৰা পৰে, ২৯ তেন্তে তাইৰ লগত শয়ন কৰা পুৰুষে ছোৱালীজনীৰ বাপেকক পঞ্চাশ চেকল ৰূপ দিব লাগিব। সেই পুৰুষে তাইক নষ্ট কৰাৰ কাৰণে তায়েই তেওঁৰ ভাৰ্যা হ'ব আৰু তেওঁ জীয়াই থাকে মানে তাইক এৰিব নোৱাৰিব। ৩০ পুৰুষে বাপেকৰ কোনো ভাৰ্যাকে নিজৰ কৰি গ্ৰহণ নকৰিব; তেওঁ বাপেকৰ বৈবাহিক অধিকাৰৰ আৱৰণ নুগুচাব।

২৩ যি পুৰুষৰ অণ্ডকোষ চূৰ্ণ বা গুপুত অঙ্গ কটা হৈছে, তেওঁ যিহোৱাৰ
সমাজত সোমাব নোৱাৰিব। ২ কোনো জাৰজ সন্তান যিহোৱাৰ
সমাজত সোমাব নোৱাৰিব; তেওঁৰ দহ পুৰুষলৈকে কোনেও যিহোৱাৰ
সমাজত সোমাব নোৱাৰিব। ৩ কোনো অম্মোনীয়া বা মোৱাবীয়া লোক
যিহোৱাৰ সমাজত সোমাব নোৱাৰিব; তেওঁৰ দহ পুৰুষলৈকে কোনেও
যিহোৱাৰ সমাজত সোমাব নোৱাৰিব। ৪ কিয়নো মিচৰ দেশৰ পৰা
ওলাই অহাৰ সময়ত আপোনালোকৰ যাত্ৰা পথত তেওঁলোকে অন্ন আৰু
জল লৈ অহা নাছিল, বৰং আপোনালোকক শাও দিবলৈ তেওঁলোকে
অৰাম-নহৰয়িম দেশৰ পথোৰ নগৰৰ পৰা বিয়োৰৰ পুতেক বিলিয়মক
ধন দি আনিছিল। ৫ কিন্তু আপোনালোকৰ ঈশ্বৰ যিহোৱাই বিলিয়মৰ
কথা নুশুনিলে; আপোনালোকক প্ৰেম কৰাৰ কাৰণে ঈশ্বৰ যিহোৱাই
আপোনালোকৰ পক্ষে সেই শাও আশীৰ্ব্বাদত পৰিণত কৰিলে। ৬
আপোনালোক জীয়াই থাকেমানে কেতিয়াও তেওঁলোকৰ মঙ্গল কি
উন্নতিৰ চেষ্টা নকৰিব। ৭ কোনো ইদোমীয়া লোকক আপোনালোকে
ঘৃণা নকৰিব; কিয়নো তেওঁ আপোনালোকৰ ইস্ৰায়েলীয়া ভাই। কোনো
মিচৰীয়া লোকক আপোনালোকে ঘৃণা নকৰিব, কাৰণ আপোনালোক
তেওঁৰ দেশত বিদেশী হৈ আছিল। ৮ আপোনালোকৰ মাজত বাস
কৰাৰ পাছত তৃতীয় পুৰুষৰ পৰা তেওঁলোক যিহোৱাৰ সমাজত
সোমাব পাৰিব। ৯ শত্ৰুসকলৰ বিৰুদ্ধে যুদ্ধ-যাত্ৰা কৰি ওলাই যোৱা
সময়ত, সকলো মন্দৰ পৰা আপোনালোকে নিজক দূৰৈত ৰাখিব। ১০
আপোনালোকৰ মাজত যদি কোনো পুৰুষ ৰাতি ঘটা ঘটনাৰ কাৰণে
অশুচি হয়, তেন্তে সি ছাউনিৰ বাহিৰলৈ যাব লাগিব; ছাউনিৰ ভিতৰলৈ
ঘূৰি নাহিব। ১১ সন্ধিয়া হৈ আহিলে তেওঁ নিজে পানীত গা ধুব। সূৰ্য
মাৰ যোৱাৰ পাছত তেওঁ ছাউনিলৈ ঘূৰি যাব পাৰিব। ১২ পায়খানাৰ
কাৰণে আপোনালোকে ছাউনিৰ বাহিৰত এটা ঠাই ঠিক কৰি ল’ব
লাগিব। ১৩ আপোনালোৰ সা-সামগ্ৰীৰ মাজত মাটি খান্দিবলৈ এখন
খন্তি থাকিব। পায়খানা কৰাৰ আগতে আপোনালোকে তাৰে গাত
কৰি মলখিনি আকৌ মাটিৰে ঢাকি দিব। ১৪ আপোনালোকক ৰক্ষা
কৰিবলৈ, আৰু আপোনালোকৰ শত্ৰুবোৰক আপোনালোকৰ হাতত

তুলি দিবলৈ আপোনালোকৰ ঈশ্বৰ যিহোৱাই আপোনালোকৰ ছাউনিৰ
মাজত অহা-যোৱা কৰে। সেই কাৰণে, আপোনালোকে ছাউনি পবিত্ৰ
কৰি ৰাখিব লাগিব যাতে আপোনালোকৰ মাজত কোনো অশুচি বস্তু
দেখি তেওঁ আপোনালোকৰ পৰা বিমুখ হৈ নাযায়। ১৫ কোনো দাসে
যদি নিজৰ গৰাকীৰ পৰা পলাই আহি আপোনালোকৰ ওচৰত আশ্ৰয়
লয়, আপোনালোকে তাক তাৰ গৰাকীৰ হাতত শোধাই নিদিব।
১৬ সেই দাসে যি কোনো এখন নগৰত আপোনালোকৰ মাজত,
য'তে বাস কৰিব বিচাৰে, তাতে বাস কৰিবলৈ দিব। তাক উপদ্ৰৱ
নকৰিব। ১৭ ইস্ৰায়েলৰ যুৱতীসকলৰ মাজত যেন কোনোৱে মন্দিৰৰ
বেশ্যা নহয়; ইস্ৰায়েলীয়া পুৰুষৰ মাজতো যেন কোনোৱে মন্দিৰৰ
বেশ্যা নহয়। ১৮ পুৰুষ হওঁক বা মহিলাই হওঁক, যি জনে বেশ্যাৰ
জীৱন কটায়, তেওঁৰ উপাৰ্জনৰ ধন কোনো সঙ্কল্প-সিদ্ধিৰ অৰ্থে
আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ গৃহলৈ নানিব; কাৰণ সেই ধৰণৰ
পুৰুষ আৰু মহিলাক আপোনালোকৰ ঈশ্বৰ যিহোৱাই ঘৃণা কৰে। ১৯
আপোনালোকে কোনো ইস্ৰায়েলীয়া ভাইক সুদ লৈ ধাৰ নিদিব - সেই
সুদ ধনৰ ওপৰতে হওঁক বা খোৱা-বস্তুৰ ওপৰতে হওঁক নাইবা অন্য
যি কোনো বস্তুৰ ওপৰতে হওঁক। ২০ অন্য জাতিৰ লোকসকলৰ পৰা
আপোনালোকে ধাৰ দি সুদ ল'ব পাৰে, কিন্তু, কোনো ইস্ৰায়েলীয়া
ভাইৰ পৰা নোৱাৰে। এইদৰে চলিলে আপোনালোকে যি দেশ অধিকাৰ
কৰিবলৈ গৈছে, সেই দেশত আপোনালোকে যিহতে হাত দিব,
সকলো কাৰ্যতে আপোনালোকৰ ঈশ্বৰ যিহোৱাই আপোনালোকক
আশীৰ্ব্বাদ কৰিব। ২১ আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ উদ্দেশ্যে যদি
আপোনালোকে কোনো সঙ্কল্প কৰে, তেন্তে তাক পূৰণ কৰিবলৈ পলম
নকৰিব; কিয়নো আপোনালোকৰ ঈশ্বৰ যিহোৱাই আপোনালোকৰ
পৰা তাক নিশ্চয়ে আদায় কৰিব; তাক পূৰণ নকৰিলে আপোনালোকৰ
পাপ হ'ব। ২২ কিন্তু সঙ্কল্প নকৰিলে, তাত কোনো পাপ নহ'ব। ২৩
আপোনালোকৰ মুখৰ পৰা যি সঙ্কল্পৰ কথা ক'ব, তাক আপোনালোকে
পূৰণ কৰিবই লাগিব, কাৰণ আপোনালোকে স্ব-ইচ্ছাৰে নিজ মুখেৰে
আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ ওচৰত সেই প্ৰতিজ্ঞা কৰিছে। ২৪

আনৰ দ্ৰাক্ষাবাৰীলৈ গৈ আপোনালোকে ইচ্ছামতে হেঁপাহ পলুৱাই আঙুৰ খাব পাৰিব, কিন্তু লৈ যোৱাৰ বাবে আপোনালোকৰ পাত্ৰত অলপো নল'ব। ২৫ অন্যৰ শস্যক্ষেত্ৰত গৈ আপোনালোকে নিজ হাতেৰে থোক ছিঙিব পাৰিব, কিন্তু শস্যত কাচি লগাব নোৱাৰিব।

**২৪** কোনো পুৰুষে কোনো যুৱতীক বিয়া কৰাৰ পাছত, যদি তাইত কোনো দোষ পোৱাৰ কাৰণে, তাই তেওঁৰ দৃষ্টিত অনুগ্ৰহ নাপায়, তেন্তে সেই পুৰুষে এখন ত্যাগ-পত্ৰ লিখি তাইৰ হাতত দিব আৰু তাইক নিজ ঘৰৰ পৰা বিদায় দিব পাৰিব। ২ সেই মহিলাই তেওঁৰ ঘৰৰ পৰা ওলাই গৈ, আন পুৰুষৰে সৈতে বিয়া হ'ব পাৰিব। ৩ কিন্তু পাছত দ্বিতীয় স্বামীয়েও যদি তাইক পছন্দ নকৰে আৰু এখন ত্যাগ-পত্ৰ লিখি তাইৰ হাতত দি, নিজৰ ঘৰৰ পৰা তাইক বিদায় দিয়ে বা সেই দ্বিতীয় স্বামীৰ যদি মৃত্যু হয়, ৪ তেন্তে তাইৰ প্ৰথম স্বামী, যি জনে তাইক বিদায় দিছিল তেওঁ তাইক পুনৰ ভাৰ্যা কৰি ল'ব নোৱাৰিব। কাৰণ তাই অশুচি হ'ল। এই ধৰণৰ বিয়া যিহোৱাৰ দৃষ্টিত ঘিণলগীয়া। আপোনালোকৰ ঈশ্বৰ যিহোৱাই অধিকাৰৰ অৰ্থে যি দেশ আপোনালোকক দিব, আপোনালোকে এইভাৱে সেই দেশক পাপত নেপেলাব। ৫ অলপতে বিয়া কৰা পুৰুষে সৈন্য সমূহৰ লগত যুদ্ধলৈ ওলাই নাযাব নাইবা তেওঁৰ ওপৰত কোনো কামৰ ভাৰ দিয়া নাযাব। তেওঁ যাক বিয়া কৰি আনিছে, তাইৰ আনন্দৰ কাৰণে এবছৰলৈকে এই সকলো কামৰ পৰা ৰেহাই দি তেওঁক স্বচ্ছন্দে নিজ ঘৰত থাকিব দিব লাগিব। ৬ ঋণৰ বন্ধক হিচাবে কাৰো জাঁত শিল বা তাৰ ওপৰৰ পাথৰটো নলব। তেনে কৰিলে মানুহজনৰ জীয়াই থকাৰ উপায়কে বন্ধক লোৱা হয়। ৭ কোনো মানুহে যদি ইস্ৰায়েলীয়া নিজ ভাইসকলৰ মাজত কোনোক চুৰ কৰি নি দাস হিচাবে ব্যৱহাৰ কৰে বা বিক্ৰী কৰি দিয়ে, তেন্তে সেই চোৰৰ মৃত্যুদণ্ড হ'ব। এইদৰে আপোনালোকৰ মাজৰ পৰা আপোনালোকে দুষ্টতা দূৰ কৰিব লাগিব। ৮ চৰ্মৰোগে দেখা দিলে আপোনালোক সতৰ্ক হ'ব লাগিব আৰু লেবীয়া পুৰোহিতসকলে যি নিৰ্দেশ দিব, সেই সকলোকে যত্ন সহকাৰে পালন কৰিব লাগিব; মই তেওঁলোকক যি যি আজ্ঞা দিছিলোঁ, তাক পালন

কৰি আপোনালোকে সেই মতে কাৰ্য কৰিব। ৯ মিচৰ দেশৰ পৰা
আপোনালোক ওলাই অহাৰ সময়ত বাটত আপোনালোকৰ ঈশ্বৰ
যিহোৱাই মিৰিয়মলৈ কি ব্যৱস্থা কৰিছিল তাক সোঁৱৰণ কৰিব। ১০
ওচৰ-চুবুৰীয়াক আপোনালোকে কিবা ধাৰ দিলে, বন্ধক হিচাবে কিবা
বস্তু আনিবৰ কাৰণে আপোনালোক তেওঁৰ ঘৰৰ ভিতৰত নোসোমাবা।
১১ বাহিৰত থিয় হৈ থাকিব আৰু যি জনক ধাৰ দিয়ে, তেওঁকেই
বন্ধকী বস্তু উলিয়াই আপোনালোকৰ ওচৰলৈ আনিব দিয়ক। ১২
মানুহজন যদি দুখীয়া হয়, তেন্তে তেওঁৰ বন্ধকী বস্তু নিজৰ ওচৰত ৰাখি
নিদ্রা নাযাব। ১৩ সূৰ্য মাৰ যোৱাৰ সময়ত তেওঁৰ সেই বন্ধকী বস্তু
অৱশ্যেই ওলোটাই দিব যাতে তেওঁ নিজৰ কাপোৰ গাত লৈ টোপনি
যাব পাৰে। তাতে আপোনালোকক আশীৰ্ব্বাদ দিব। আপোনালোকৰ
ঈশ্বৰ যিহোৱাৰ দৃষ্টিত সেই ঘূৰাই দিয়া কাৰ্যই ধাৰ্মিকতা হ'ব। ১৪
আপোনালোকে ভাড়ালৈ অনা কোনো দুখীয়া আৰু অভাৱী দাসৰ
প্রতি অন্যায় নকৰিব - তেওঁ আপোনালোকৰ কোনো ইস্রায়েলীয়া
ভাইয়ে হওক, বা আপোনালোকৰ দেশত নগৰৰ দুৱাৰৰ ভিতৰত থকা
কোনো বিদেশীয়েই হওক। ১৫ প্ৰতিদিনে আপোনালোকে তেওঁৰ
মজুৰি দিব। সূৰ্য মাৰ যোৱাৰ আগেয়ে তাক আপোনালোকে পৰিশোধ
কৰিব। কিয়নো তেওঁ দুখীয়া আৰু সেই মজুৰিৰ ওপৰতে তেওঁ ভাৰসা
কৰে। আপোনালোকে এই কাৰ্য কৰিব যাতে তেওঁ আপোনাৰ অহিতে
যিহোৱাৰ আগত কাতৰোক্তি কৰিলে, আপোনালোকৰ পাপ হ'ব।
১৬ সন্তানৰ পাপৰ কাৰণে পিতৃ-মাতৃক বা পিতৃ-মাতৃৰ পাপৰ কাৰণে
সন্তানক প্ৰাণ দণ্ড দিয়া নহ'ব; প্ৰতিজনে নিজ নিজ পাপৰ কাৰণে
প্ৰাণদণ্ড ভোগ কৰিব লাগিব। ১৭ বিদেশী বা পিতৃহীনৰ প্ৰতি অন্যায়
বিচাৰ নকৰিব আৰু কোনো বিধৱাৰ কাপোৰ বন্ধক স্বৰূপে নল'ব।
১৮ মনত ৰাখিব, মিচৰ দেশত আপোনালোক দাস আছিল আৰু
আপোনালোকৰ ঈশ্বৰ যিহোৱাই তাৰ পৰা আপোনালোকক মুক্ত কৰি
আনিলে। এইবাবেই মই আপোনালোকক এই সকলো কাৰ্য কৰিবলৈ
আজ্ঞা দিছোঁ। ১৯ আপোনালোকৰ খেতিৰ শস্য দোৱাৰ সময়ত যদি
শস্যৰ কোনো মুঠি লগত আনিবলৈ পাহৰি যায়, তেন্তে তাক আনিবলৈ

উলটি নাযাব; সেয়ে বিদেশী, পিতৃহীন, আৰু বিধৱাসকলৰ বাবে হ’ব।
তাতে আপোনালোকৰ ঈশ্বৰ যিহোৱাই আপোনালোকৰ হাতে কৰা
সকলো কাৰ্যতে আপোনালোকক আশীৰ্ব্বাদ কৰিব। ২০ জিত পৰাৰ
সময়ত আপোনালোকে একেবোৰ ডালৰ পৰা দুবাৰ ফল পাৰিবলৈ
নাযাব। যি থাকি যাব সেয়ে বিদেশী, পিতৃহীন আৰু বিধৱাসকলৰ
বাবে ৰাখিব। ২১ আপোনালোকে দ্ৰাক্ষাবাৰীৰ পৰা আঙুৰ চপোৱাৰ
সময়ত, একেডাল ডালৰ পৰা দুবাৰ আঙুৰ নিছিঙিব। যি থাকি যাব,
সেয়ে বিদেশী, পিতৃহীন, আৰু বিধৱাসকলৰ বাবে ৰাখিব। ২২ পাহৰি
নাযাব যে আপোনালোকো মিচৰ দেশত দাস আছিল। সেইবাবেই মই
আপোনালোকক এই সকলো কৰিবলৈ আজ্ঞা দিছোঁ।

**২৫** যদি লোকসকলৰ মাজত বিবাদ হয় আৰু সেই বিবাদ আদালতলৈ
নিয়া হয়, তেন্তে বিচাৰকসকলে বিচাৰ কৰি তেওঁলোকৰ নিৰ্দোষীক
নিৰ্দোষ আৰু দোষীক দোষী কৰিব; ২ সেই বিচাৰত যদি দোষী
প্ৰহাৰৰ যোগ্য হয়, তেন্তে বিচাৰকে তেওঁক মাটিত শুৱাই লৈ তাৰ
দোষ অনুসাৰে হিচাপ কৰি নিজৰ সন্মুখতে তেওঁক কোবোৱাব। ৩
বিচাৰকে তেওঁক চল্লিশ কোবৰ অধিক মৰাব নোৱাৰিব; তাৰ অধিক
মাৰিলে এজন ইস্ৰায়েলীয়া ভাইক আপোনালোকৰ আগত নীহ কৰা
হ’ব। ৪ শস্য মৰণা মাৰোঁতে গৰুৰ মুখত মোখোৰা নাবান্ধিব। ৫ যদি
ককাই-ভাইসকল একেলগে থাকে আৰু তেওঁলোকৰ মাজৰ এজন
ভাই পুত্ৰহীন হৈ মৰে, তেন্তে সেই মৃতকৰ ভাৰ্য্যাই বাহিৰৰ আন
পুৰুষক বিয়া কৰিব নোৱাৰিব; দেওৰেক বা বৰ-জনাই তাইক বিয়া
কৰি কৰিব আৰু তাইৰ প্ৰতি দেওৰেক বা বৰ-জনাৰ কৰিবলগীয়া
কৰ্তব্য পালন কৰিব। ৬ পাছত সেই মহিলাৰ ঔৰসত যি প্ৰথম
সন্তান জন্ম হ’ব, তেওঁ সেই মৃত ভাইৰ নাম ৰক্ষা হ’ব আৰু সেই
মৃত ভাইৰ নাম ইস্ৰায়েলৰ মাজৰ পৰা লুপ্ত হৈ নাযাব। ৭ কিন্তু সেই
পুৰুষে যদি নিজ ভায়েক বা ককায়েকৰ তিৰোতাক গ্ৰহণ কৰিব
নোখোজে, তেন্তে তাৰ ককায়েক বা ভায়েকৰ সেই তিৰোতাই নগৰৰ
দুৱাৰ মুখলৈ বৃদ্ধ লোকসকলৰ ওচৰলৈ গৈ ক’ব, “মোৰ দেওৰ বা
বৰজনাই ইস্ৰায়েলৰ মাজত নিজ ককায়েক বা ভায়েকৰ নাম ৰাখিবলৈ

অসন্মত হৈছে; মোৰ প্ৰতি মোৰ দেওৰ বা বৰজনাই কৰিবলগীয়া
কৰ্তব্য পালন কৰিবলৈ ইচ্ছুক নহয়।” ৮ তেতিয়া সেই নগৰৰ বৃদ্ধ
লোকসকলে সেই পুৰুষক মাতি আনি বুজাব; ইয়াৰ পাছতো যদি
তেওঁ দৃঢ়তাৰে কয় যে, “তাইক লবলৈ মোৰ ইচ্ছা নাই,” ৯ তেতিয়া
তেওঁৰ ককায়েক বা ভায়েকৰ ভাৰ্য্যাই বৃদ্ধ লোকসকলৰ সাক্ষাতে
দেওৰেক বা বৰজনাৰ গুৰিলৈ গৈ তেওঁৰ ভৰিৰ পৰা জোতা খুলি ল’ব
আৰু তেওঁৰ মুখত থু পেলাই ক’ব, “নিজ ককাই বা ভাইৰ বংশ যি
জনে ৰক্ষা কৰিবলৈ নিবিচাৰে, তেওঁৰ প্ৰতি এনে ব্যৱহাৰকে কৰা
হয়।” ১০ ইস্ৰায়েলৰ মাজত সেই লোকৰ বংশ ‘জোতা-খোলা পুৰুষৰ
বংশ’ বুলি প্ৰখ্যাত হ’ব। ১১ দুজন লোকৰ মাজত কাজিয়া কৰাৰ
সময়ত যদি এজনৰ ভাৰ্য্যাই তেওঁৰ স্বামীক আঘাত কৰা আন জনৰ
হাতৰ পৰা ৰক্ষা কৰাৰ উদ্দেশ্যেৰে ওচৰলৈ আহে আৰু হাত মেলি আন
লোকজনৰ গুপুত অঙ্গ ধৰে, ১২ তেতিয়া আপোনালোকে তাইৰ হাত
কাটি পেলাব; তাইলৈ আপোনালোকে কোনো দয়া নেদেখুৱাব। ১৩
আপোনালোকৰ মোনাত যেন সৰু আৰু ডাঙৰ দুই ৰকমৰ দগা নাথাকে।
১৪ আপোনালোকৰ ঘৰত সৰু আৰু ডাঙৰ দুই ধৰণৰ জোখৰ পাত্ৰ যেন
নাথাকে। ১৫ আপোনালোকৰ ঈশ্বৰ যিহোৱাই আপোনালোকক যি
দেশ দিব, সেই দেশত আপোনালোকৰ আয়ুস দীঘল হ’বৰ কাৰণে
আপোনালোকে সঠিক আৰু ন্যায় দগা, সঠিক আৰু ন্যায় জোখৰ পাত্ৰ
ৰাখিব লাগিব। ১৬ কাৰণ, যেয়ে এই সকলো কাৰ্য কৰে অৰ্থাৎ সকলো
ধৰণৰ অধাৰ্মিক কাৰ্য কৰে, আপোনালোকৰ ঈশ্বৰ যিহোৱাই তেওঁক
ঘৃণা কৰে। ১৭ আপোনালোক মিচৰ দেশৰ পৰা ওলাই আহোঁতে বাটত
অমালেকীয়াসকলে আপোনালোকৰ সৈতে যি কৰিছিল, তাক সোঁৱৰণ
কৰক। ১৮ আপোনালোক শ্ৰান্ত আৰু ক্লান্ত হৈ থকা অৱস্থাত যি দুৰ্বল
লোকসকল পাছত গৈ আছিল, কেনেকৈ তেওঁলোকে বাটত লগ পাই
আক্ৰমণ কৰিছিল, তাক সোঁৱৰণ কৰক। তেওঁলোকে ঈশ্বৰক ভয় কৰা
নকৰিছিল। ১৯ এই হেতুকে, আপোনালোকৰ ঈশ্বৰ যিহোৱাই যি দেশ
উত্তৰাধিকাৰ স্বৰূপে অধিকাৰ কৰিবলৈ আপোনালোকক দিবলৈ গৈছে,
সেই দেশত আপোনালোকৰ চাৰিওফালে থকা সকলো শত্ৰুবোৰৰ

পৰা তেওঁ যেতিয়া আপোনালোকক বিশ্ৰাম দিব, তেতিয়া আকাশৰ তলৰ পৰা অমালেকীয়াসকলৰ চিন আপোনালোকে একেবাৰে মছি পেলাব লাগিব। এই কথা আপোনালোকে নাপাহৰিবা।

**২৬** আপোনালোকৰ ঈশ্বৰ যিহোৱাই যি দেশ উত্তৰাধিকাৰ হিচাবে আপোনালোকক দিব, আপোনালোকে সেই দেশ অধিকাৰ কৰি যেতিয়া তাত বাস কৰিব, ২ তেতিয়া আপোনালোকৰ ঈশ্বৰ যিহোৱাই দিয়া সেই দেশৰ ভূমিত আপোনালোকে যি শস্য উৎপন্ন কৰিব, তাৰ প্ৰথম আগভাগৰ কিছু কিছু লৈ পাচিত ভৰাই ৰাখিব। আপোনালোকৰ ঈশ্বৰ যিহোৱাই নিজকে প্ৰকাশ কৰিবৰ কাৰণে যি ঠাই তেওঁৰ বাসস্থান হিচাবে মনোনীত কৰিব, সেই শস্য আপোনালোকে সেই ঠাইলৈ লৈ যাব। ৩ তেতিয়া যি জন পুৰোহিত থাকিব আপোনালোকে গৈ তেওঁক ক'ব, "যিহোৱাই আমাক যি দেশ দিম বুলি আমাৰ পূৰ্ব-পুৰুষসকলৰ আগত শপত খাইছিল, সেই দেশত মই সোমালো ইয়াক আজি আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ আগত স্বীকাৰ কৰিছোঁ।" ৪ তাতে পুৰোহিত জনে আপোনালোকৰ হাতৰ পৰা পাচিটো লৈ, আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ যজ্ঞবেদীৰ আগত থব। ৫ তাৰ পাছত আপোনালোকে আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ আগত ক'ব, "মোৰ পূৰ্বপুৰুষ এজন অৰামীয়া যাযাবৰ আছিল; তেওঁ মাত্ৰ কেইজনমান লোকক লগত লৈ মিচৰলৈ নামি গৈছিল আৰু তাতে বাস কৰিছিল। সেই ঠাইত তেওঁ এক মহান, পৰাক্ৰমী লোক হৈছিল আৰু জনসংখ্যাত বৃদ্ধি হৈ এক জাতি হৈ উঠিল। ৬ মিচৰীয়াসকলে আমাৰ লগত ভাল ব্যৱহাৰ নকৰিলে আৰু আমাক কষ্ট দিছিল। আমাৰ ওপৰত শ্ৰমৰ কঠিন বোজা দি দাসৰ কাম কৰালে; ৭ তেতিয়া আমি আমাৰ পূৰ্বপুৰুষসকলৰ ঈশ্বৰ যিহোৱাৰ আগত কাতৰোক্তি কৰিলোঁ, তাতে যিহোৱাই আমাৰ কাতৰোক্তি কৰিলোঁ। তেওঁ আমাৰ ক্ৰন্দন শুনিলে; আমাৰ কষ্ট আৰু পৰিশ্ৰম দেখিলে আৰু আমাৰ ওপৰত হোৱা উপদ্ৰৱলৈ দৃষ্টি কৰিলে। ৮ যিহোৱাই এক বলৱান হাতেৰে, নিজৰ ক্ষমতা দেখুৱাই, মহা ভয়ানক কাৰ্যৰে, নানা চিন আৰু অদ্ভুত লক্ষণেৰে মিচৰৰ পৰা আমাক উলিয়াই আনিলে। ৯ তেওঁ আমাক এই ঠাইলৈ আনিলে আৰু গাখীৰ মৌ বোৱা

এই দেশ আমাক দিলে। ১০ সেয়ে, হে যিহোৱা, এইয়া চাওঁক, আপুনি দিয়া ভূমিৰ প্ৰথম শস্যৰ আগভাগ মই আপোনাৰ ওচৰলৈ আনিছোঁ।' এইবুলি কৈ আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ আগত আপোনালোকে আপোনালোকৰ পাচি থৈ তেওঁক প্ৰণিপাত কৰিব। ১১ আপোনালোকৰ ঈশ্বৰ যিহোৱাই আপোনালোকক আৰু আপোনালোকৰ পৰিয়ালক যি সকলো মঙ্গল কৰিছে, তাৰ বাবে আপোনালোকৰ মাজত থকা লেবীয়া আৰু বিদেশী লোকেৰে সৈতে আনন্দ কৰিব। ১২ প্ৰত্যেক তৃতীয় বছৰত অৰ্থাৎ দশমাংশৰ বছৰত, আপোনালোকৰ শস্যৰ দহ ভাগৰ এভাগ আদায় দিয়া শেষ হোৱাৰ পাছত আপোনালোকে সেইবোৰ লেবীয়া, বিদেশী, পিতৃহীন আৰু বিধৱাসকলক দিব। তাতে সেই সকলোৱে আপোনালোকৰ নগৰৰ দুৱাৰৰ ভিতৰতে খোৱা-বোৱা কৰি তৃপ্ত হ'ব। ১৩ তাৰ পাছত আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ আগত আপুনি এই কথা ক'ব, 'মই আপোনাৰ সকলো আজ্ঞা অনুসাৰে মোৰ আয়ৰ পৰা পবিত্ৰ অংশটো ঘৰৰ পৰা উলিয়াই আনি লেবীয়া, বিদেশী, পিতৃহীন আৰু বিধৱাসকলক দিলোঁ; আপোনাৰ আজ্ঞাসমূহৰ এটাও মই অমান্য কৰা নাই আৰু সেইবোৰ মই পাহৰা নাই। ১৪ মৃতলোকৰ কাৰণে শোক প্ৰকাশৰ কালত মই পবিত্ৰ অংশৰ অলপো খোৱা নাই বা অশুচি হোৱা কালত তাৰ একোকে উলিওৱা নাই বা তাৰ পৰা কোনো অংশ মৃত লোকৰ সন্মানৰ্থে দান কৰা নাই। মই মোৰ ঈশ্বৰ যিহোৱাৰ কথা শুনিলো; আপুনি মোক দিয়া সকলো আজ্ঞাৰ দৰে মই কাৰ্য কৰিলোঁ। ১৫ হে যিহোৱা, আপুনি নিজ পবিত্ৰ নিবাস স্বৰ্গৰ পৰা তললৈ দৃষ্টি কৰক আৰু আপোনাৰ প্ৰজা ইস্ৰায়েলীয়াসকলক আশীৰ্বাদ কৰক। আমাৰ পুৰ্ব্ব-পুৰুষসকলৰ আগত তুমি কৰা শপত অনুসাৰে যি গাখীৰ মৌ বোৱা ভুমি আমাক দিছা, সেই দেশক আশীৰ্ব্বাদ কৰা'।" ১৬ আজি আপোনালোকৰ ঈশ্বৰ যিহোৱাই এই বিধি আৰু শাসন-প্ৰণালীবোৰ পালন কৰিবলৈ আপোনালোকক আজ্ঞা দিছে; এই হেতুকে আপোনালোকে সকলো মন আৰু সকলো প্ৰাণেৰে সেইবোৰ পালন কৰি সেই মতে কাৰ্য কৰিব। ১৭ আজিয়েই আপোনালোকে স্বীকাৰ কৰিছে যে, যিহোৱাই আপোনালোকৰ ঈশ্বৰ আৰু তেওঁৰ

পথতে আপোনালোক চলিব। আপোনালোকে স্বীকাৰ কৰিছে যে,
তেওঁৰ বিধিবোৰ, তেওঁৰ আজ্ঞাবোৰ আৰু তেওঁৰ শাসন-প্ৰণালীবোৰ
আপোনালোকে পালন কৰিব আৰু তেওঁৰ বাক্যলৈ কাণ দিব। ১৮
যিহোৱাইও আজি এই কথা স্বীকাৰ কৰিছে যে, তেওঁ যেনেকৈ প্ৰতিজ্ঞা
কৰিছিল, সেইদৰে আপোনালোক তেওঁৰ নিজস্ব অধিকাৰত থকা
তেওঁৰ প্ৰজা হৈছে আৰু আপোনালোকে তেওঁৰ সকলো আজ্ঞা পালন
কৰা উচিত। ১৯ যিহোৱাই আজি ঘোষণা কৰিছে যে, প্ৰশংসা, যশস্যা
আৰু সন্মানৰ ক্ষেত্ৰত তেওঁ সৃষ্টি কৰা সকলো জাতিবোৰৰ ওপৰত
আপোনালোকক স্থান দিব। আপোনালোকৰ ঈশ্বৰ যিহোৱাই যি দৰে
কৈছিল, সেইদৰেই আপোনালোক তেওঁৰ উদ্দেশ্যে এক পবিত্ৰ জাতি
হ'ব।

**২৭** মোচিয়ে ইস্ৰায়েলৰ বৃদ্ধ নেতাসকলক লগত লৈ লোকসকলক
এই আজ্ঞা দিলে, "যি সকলো আজ্ঞা মই আজি আপোনালোকক
দিছো, তাক আপোনালোকে পালন কৰিব। ২ আপোনালোকে যি দিনা
যৰ্দ্দন নদী পাৰ হৈ আপোনালোকৰ ঈশ্বৰ যিহোৱাই আপোনালোকক
দিয়া দেশলৈ যাব, তেতিয়া কেইটামান ডাঙৰ ডাঙৰ শিল স্থাপন
কৰি ল'ব আৰু চূণেৰে সেইবোৰ লিপি দিব। ৩ সেইবোৰৰ ওপৰত
এই বিধিৰ সকলো কথা লিখিব। আপোনালোকৰ পূৰ্ব-পুৰুষসকলৰ
ঈশ্বৰ যিহোৱাই আপোনালোকৰ ওচৰত কৰা তেওঁৰ প্ৰতিজ্ঞাৰ দৰেই
গাখীৰ আৰু মৌ বোৱা যি দেশ আপোনালোকক দিব, আপোনালোক
তাত যোৱাৰ পাছত, ৪ অৰ্থাৎ যৰ্দ্দন নদী পাৰ হৈ যোৱাৰ পাছত
মই আজি আপোনালোকক যি আজ্ঞা কৰিছোঁ, আপোনালোকে সেই
সকলো শিল এবাল পাহাৰৰ ওপৰত স্থাপন কৰি তাক চূণেৰে লিপি
দিব। ৫ আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ উদ্দেশ্যে আপোনালোকে
সেই ঠাইত এটা শিলৰ যজ্ঞবেদী নিৰ্ম্মাণ কৰিব। সেই শিলবোৰৰ
ওপৰত আপোনালোকে কোনো লোহাৰ সজুলি ব্যৱহাৰ নকৰিব। ৬
আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ এই যজ্ঞবেদীটো আপোনালোকে
নকটা-শিলেৰে নিৰ্ম্মাণ কৰি তাৰ ওপৰত ঈশ্বৰ যিহোৱাৰ উদ্দেশ্যে
হোম-বলি উৎসৰ্গ কৰিব। ৭ আপোনালোকে মঙ্গলাৰ্থক বলি উৎসৰ্গ

কৰি তাত ভোজন কৰিব আৰু আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ আগত
আনন্দ কৰিব। ৮ সেই শিলবোৰৰ ওপৰত এই নিয়মৰ সকলো কথা
অতি স্পষ্টকৈ লিখিব।" ৯ পাছত মোচি আৰু লেবীয়া পুৰোহিতসকলে
সকলো ইস্রায়েলীয়াক ক'লে, "হে ইস্রায়েলীয়াসকল, আপোনালোকে
মনে মনে থাকি শুনক; আজি আপোনালোক নিজ ঈশ্বৰ যিহোৱাৰ প্ৰজা
হ'ল। ১০ আপোনালোকে সেয়ে আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ বাধ্য
হৈ চলিব। আজি মই আপোনালোকক আদেশ কৰা তেওঁৰ আজ্ঞা
আৰু বিধিবোৰ আপোনালোকে পালন কৰি চলিব।" ১১ সেইদিনা
মোচিয়ে লোকসকলক এই আজ্ঞা কৰিলে, ১২ "আপোনালোকে যৰ্দ্দন
নদী পাৰ হোৱাৰ পাছত লোকসকলক আশীৰ্ব্বাদ কৰিবলৈ চিমিয়োন,
লেবী, যিহূদা, ইচাখৰ, যোচেফ, আৰু বিন্যামীন এই ফৈদৰ লোকসকল
গৰিজ্জীম পৰ্ব্বতত উঠি থিয় হ'ব; ১৩ ৰূবেণ, গাদ, আচেৰ, জবূলূন,
দান আৰু নপ্তালী, ফৈদৰ লোকসকলে শাও দিবলৈ এবাল পৰ্ব্বতত
থিয় হ'ব।" ১৪ লেবীয়াসকলে তেতিয়া ইস্রায়েলীয়া সকলো লোকক
বৰ মাতেৰে ক'ব: ১৫ 'যি লোকে সাঁচত ঢালি নাইবা খোদাই কৰি
কোনো মূৰ্তি নিৰ্মাণ কৰে আৰু গুপুতে তাক স্থাপন কৰে, সেই লোক
অভিশপ্ত হওঁক। এই কাৰ্য কাৰিকৰৰ হাতৰ শিল্পকলা মাত্ৰ। এইবোৰ
মূৰ্তি যিহোৱাৰ ঘিণলগীয়া।' তেতিয়া সকলোৱে ক'ব 'আমেন।' ১৬
যি কোনোৱে নিজ পিতৃ-মাতৃক অমান্য কৰিব, তেওঁ অভিশপ্ত হওক;
তাতে সকলো লোকে কব 'আমেন।' ১৭ যিকোনোৱে ওচৰ-চুবুৰীয়াৰ
মাটিৰ সীমাৰ চিন লৰাব, তেওঁ অভিশপ্ত হওক; তাতে সকলো লোকে
সেয়ে হওক বুলি ক'ব। ১৮ যি কোনোৱে অন্ধক ভুল পথে লৈ যায়,
তেওঁ অভিশপ্ত হওক; তাতে সকলো লোকে ক'ব 'আমেন।' ১৯ যি
কোনোৱে বিদেশী, পিতৃহীন আৰু বিধৱাৰ প্ৰতি অন্যায় বিচাৰ হ'বলৈ
দিয়ে, তেওঁ অভিশপ্ত হওক; তাতে সকলো লোকে ক'ব 'আমেন।' ২০
যি কোনোৱে বাপেকৰ ভাৰ্যাৰে সৈতে ব্যভিচাৰ কৰে, তেওঁ বাপেকৰ
অধিকাৰ লোৱাৰ কাৰণে অভিশপ্ত হওক; তাতে সকলো লোকে ক'ব
'আমেন।' ২১ যি কোনোৱে পশুৰ সৈতে সহবাস কৰে, তেওঁ অভিশপ্ত
হওক; তাতে সকলো লোকে ক'ব 'আমেন।' ২২ যি কোনোৱে নিজ

ভনীয়েক কি বায়েকৰে সৈতে, অৰ্থাৎ নিজ বাপেক-মাকৰ জীয়েকৰ
লগত শয়ন কৰিব, তেওঁ অভিশপ্ত হওক; তাতে সকলো লোকে ক’ব
‘আমেন।’ ২৩ যি কোনোৱে শাহুৱেকেৰে সৈতে শয়ন কৰিব, তেওঁ
অভিশপ্ত হওক; তাতে সকলো লোকে ক’ব ‘আমেন।’ ২৪ যি কোনোৱে
চুবুৰীয়াক গুপুতে বধ কৰিব, তেওঁ অভিশপ্ত হওক; তাতে সকলো
লোকে ক’ব ‘আমেন।’ ২৫ যি কোনোৱে নিৰ্দ্দোষীক বধ কৰিবলৈ ভেঁটি
খাব, তেওঁ অভিশপ্ত হওক; তাতে সকলো লোকে ক’ব ‘আমেন।’ ২৬
যি কোনোৱে এই নিয়মৰ কথাবোৰ পালন কৰিবলৈ অস্বীকাৰ কৰিব,
তেওঁ অভিশপ্ত হওক; তাতে সকলো লোকে ক’ব ‘আমেন।’

**২৮** আপোনালোকে যদি আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ আজ্ঞা
পালনত মনোযোগ দিয়ে আৰু আজি দিয়া মোৰ এই সকলো আজ্ঞা
যত্নেৰে পালন কৰে, তেন্তে আপোনালোকৰ ঈশ্বৰ যিহোৱাই পৃথিবীৰ
আন সকলো জাতিতকৈ আপোনালোকৰ স্থান উচ্চ কৰিব। ২
আপোনালোকে ঈশ্বৰ যিহোৱাৰ বাক্যলৈ মনোযোগ দিলে, এই সকলো
আশীৰ্ব্বাদ আপোনালোকলৈ আহিব আৰু সেয়ে আপোনালোকৰ
লগত থাকিব। ৩ আপোনালোকৰ নগৰ আৰু খেতি পথাৰ সকলোতে
আপোনালোকে আশীৰ্ব্বাদ পাব। ৪ আপোনালোকৰ গৰ্ভফল, ভূমিৰ
ফল আৰু পশুধনৰ গৰ্ভফল, আপোনালোকৰ পশু আৰু মেৰ-ছাগ
পোৱালিবোৰৰ বৃদ্ধিত আশীৰ্ব্বাদ পাব। ৫ আপোনালোকৰ শস্যৰ
পাচি আৰু আটা মাৰা পাত্ৰয়ো আশীৰ্ব্বাদ পাব। ৬ ভিতৰলৈ যোৱা
আৰু বাহিৰলৈ অহা সময়ত আপোনালোকে আশীৰ্ব্বাদ পাব। ৭
যিহোৱাই আপোনালোকৰ বিৰুদ্ধে উঠা শত্ৰুবোৰক আপোনালোকৰ
আগত ঘটুৱাব; সিহঁতে তেওঁলোকে এক বাটেদি আপোনালোকক
আক্ৰমণ কৰিবলৈ আহি সাত বাটেদি পলাই যাব। ৮ যিহোৱাই
আপোনালোকৰ ভঁৰালবোৰত, আৰু যি কাৰ্যত আপোনালোকে হাত
দিব, সেই সকলোৰে ওপৰত আশীৰ্ব্বাদ পৰিবলৈ আজ্ঞা দিব;
আপোনালোকক যি দেশ দিব, তাত তেওঁ আপোনালোকক আশীৰ্ব্বাদ
কৰিব। ৯ আপোনালোকে যদি আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ
আজ্ঞাবোৰ পালন কৰে আৰু তেওঁৰ পথত চলে, তেন্তে যিহোৱাই

আপোনালোকৰ আগত শপত কৰাৰ দৰে, আপোনালোকক নিজৰ এক পবিত্ৰ প্ৰজা হিচাবে স্থিৰ কৰিব। ১০ তাতে, পৃথিবীত থকা সকলো জাতিবোৰে দেখা পাব যে, যিহোৱাৰ নামেই আপোনালোকৰ পৰিচয় আৰু তেওঁলোকে আপোনালোকক ভয় কৰি চলিব। ১১ যিহোৱাই আপোনালোকক যি দেশ দিম বুলি আপোনালোকৰ পূৰ্ব–পুৰুষসকলৰ আগত শপত কৰিছিল, সেই দেশত তেওঁ আপোনালোকৰ গৰ্ভফল, আপোনালোকৰ পশুৰ গৰ্ভফল, আৰু ভুমিৰ ফলক প্ৰচুৰ ঐশ্বৰ্য্যশালী কৰিব। ১২ আপোনালোকৰ দেশত উচিত সময়ত বৰষুণ দিবলৈ, আৰু আপোনালোকৰ হাতে কৰা সকলো কাৰ্যত আশীৰ্ব্বাদ দিবলৈ, যিহোৱাই নিজৰ দানৰ ভঁৰাল অৰ্থাৎ আকাশ-মুকলি কৰি দিব; তাতে আপোনালোকে অনেক জাতিক ঋণ দিব, কিন্তু আপোনালোকে নিজে ঋণ নল'ব। ১৩ যিহোৱাই আপোনালোকক মূৰ কৰিব, নেগুৰ নকৰিব; আপোনালোকৰ স্থান কেৱল ওপৰত থাকিব, কেতিয়াও তলত নাথাকিব, যদিহে আপোনালোকে আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ যি যি আজ্ঞা মই আজি আপোনালোকক দিছো, সেইবোৰ শুনি আৰু পালন কৰি সেই মতে কাৰ্য কৰে, ১৪ আৰু দেৱতাবোৰৰ সেৱাপূজা কৰি সেইবোৰৰ পাছত নচলি মই আজি আপোনালোকক দিয়া আজ্ঞাবোৰৰ এটি বাক্যৰো সোঁ কি বাওঁফালে নুঘুৰিলে আপোনালোকে সেই আশীৰ্বাদ পাব। ১৫ কিন্তু মই আজি আপোনালোকক আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ যি যি আজ্ঞা দিছোঁ, সেই সকলোকে পালন কৰি সেই মতে কাৰ্য কৰিবলৈ যদি আপোনালোকে তেওঁৰ বাক্যলৈ কাণ নিদিয়ে, তেন্তে এই সকলো শাও আপোনালোকৰ ওপৰত পৰিব, আৰু আপোনালোকত ফলিয়াব। ১৬ আপোনালোকৰ নগৰ আৰু খেতি পথাৰ সকলোতে আপোনালোকে শাও পাব। ১৭ আপোনালোকৰ শস্যৰ পাচি আৰু আটা মাৰা পাত্ৰয়ো শাও পাব। ১৮ আপোনালোকৰ গৰ্ভফল, ভূমিৰ ফল আৰু পশুধনৰ গৰ্ভফল, আপোনালোকৰ পশু আৰু মেৰ-ছাগ পোৱালিবোৰৰ বৃদ্ধিত শাও পাব। ১৯ ভিতৰলৈ যোৱা আৰু বাহিৰলৈ অহা সময়ত আপোনালোকে শাও পাব। ২০ আপোনালোকে মন্দ কাৰ্য কৰি যিহোৱাক ত্যাগ কৰাৰ কাৰণে

আপোনালোকে কৰা সকলো কাৰ্যতে তেওঁ শাও দিব। যেতিয়ালৈকে আপোনালোক ধ্বংস আৰু শীঘ্ৰে বিনষ্ট হৈ নাযায়, তেতিয়ালৈকে যিহোৱাই আপোনালোকৰ মাজলৈ শাও, ব্যাকুলতা, আৰু ধমকি পঠাই থাকিব। ২১ আপোনালোকৰ অধিকাৰৰ অৰ্থে যি দেশত সোমাবলৈ গৈছে সেই দেশৰ পৰা যিহোৱাই আপোনালোকক উচ্ছন্ন নকৰেমানে আপোনালোকৰ মাজত মহামাৰী লাগিয়েই থাকিব। ২২ সংক্ৰামক ৰোগ যেনে ক্ষয় ৰোগ, জ্বৰ, জ্বলন, খৰাং, ঘামগাঁৰ, গৰম শুকান বতাহ, আৰু ককৰ্তনীয়া এইবোৰৰ দ্বাৰাই যিহোৱাই আপোনালোকক মাৰিব; আপোনালোক বিনষ্ট নোহোৱালৈকে সেইবোৰে আপোনালোকৰ লগ নেৰিব। ২৩ আপোনালোকৰ মূৰৰ ওপৰত থকা আকাশখন পিতল যেন টান আৰু তলত থকা পৃথিবীখন লোহা যেন টান হ'ব। ২৪ যিহোৱাই আপোনালোকৰ দেশত বৰষুণৰ সলনি ধুলি আৰু বালি বৰষাব; আপোনালোক বিনষ্ট নোহোৱালৈকে, সেইবোৰ আকাশৰ পৰা আপোনালোকৰ ওপৰত পৰি থাকিব। ২৫ যিহোৱাই আপোনালোকৰ শত্ৰুবোৰৰ আগত আপোনালোকক ঘটুৱাব; আপোনালোকে এক বাটে তেওঁলোকৰ অহিতে ওলাই যাব, কিন্তু সাত বাটেদি তেওঁলোকৰ আগৰ পৰা পলাই আহিব; পৃথিবীৰ সকলো ৰাজ্যৰ মাজত আপোনালোক সিচঁৰিত হ'ব। ২৬ আপোনালোকৰ মৃত শৰ আকাশৰ চৰাইবোৰৰ আৰু পৃথিবীৰ জীৱ-জন্তুবোৰৰ আহাৰ হ'ব; সেইবোৰক খেদাবলৈ কোনো নাথাকিব। ২৭ যিহোৱাই আপোনালোকক মিচৰীয় বিহ ফোঁহোৰা, খহু, ফাপৰ, আৰু খজুলি এনেবোৰ সুস্থ কৰিব নোৱাৰা ৰোগেৰে আক্ৰান্ত কৰিব। ২৮ যিহোৱাই পাগলামি, অন্ধতা আৰু চিন্তাশক্তি নষ্ট কৰি আপোনালোকক অধিক কষ্ট দিব। ২৯ অন্ধই যেনেকৈ আন্ধাৰত খপিয়াই ফুৰে, তেনেকৈ আপোনালোকে দিন-দুপৰতে খপিয়াই ফুৰিব; আপোনালোকৰ কোনো কাৰ্যই সফল নহব; আপোনালোকৰ ওপৰত সদায় কেৱল উপদ্ৰৱ আৰু লুটপাত হ'ব আৰু আপোনালোকক ৰক্ষা কৰিবলৈ কোনো নাথাকিব। ৩০ আপোনালোকৰ কোনো ছোৱালী বাগদত্তা হ'ব, কিন্তু আন পুৰুষে তাইৰ লগত শয়ন কৰিব; আপোনালোকে ঘৰ সাজিব, কিন্তু তাত বাস কৰিবলৈ নাপাব;

আৰু দ্ৰাক্ষাবাৰী পাতিব, কিন্তু তাৰ গুটি ভোগ কৰিবলৈ নাপাব। ৩১
অন্য লোকে আপোনালোকৰ গৰু আপোনালোকৰ আগতেই বধ কৰিব,
কিন্তু আপোনালোকে তাৰ মাংস খাবলৈ নাপাব; আপোনালোকৰ
গাধ আপোনালোকৰ আগৰ পৰা বলপূৰ্বক ভাবে নিয়া হ'ব কিন্তু
ওলোটাই দিয়া নাযাব; আপোনালোকৰ মেৰ-ছাগ আৰু ছাগলী জাক
শত্ৰুবোৰক দিয়া হ'ব, কিন্তু আপোনালোকৰ পক্ষত নিস্তাৰ কৰোঁতা
কোনো নাথাকিব। ৩২ আপোনালোকৰ ল'ৰা, ছোৱালীক আন জাতিৰ
লোকসকলে লৈ যাব আৰু গোটেই দিন তেওঁলোকলৈ বাট চাওঁতেই
চকু বিষাব; আৰু আপোনালোক ক্লান্ত হৈ পৰিব, আপোনালোকক
ৰক্ষা কৰোঁতা কোনো নাথাকিব। ৩৩ আপোনালোকে নজনা এটা
জাতিয়ে আপোনালোকৰ ভূমিৰ শস্য আৰু আপোনালোকৰ পৰিশ্ৰমৰ
সকলো ফল ভোগ কৰিব; আপোনালোকে সদায় কেৱল উপদ্ৰৱ
আৰু লাঞ্ছনা ভোগ কৰিব; ৩৪ তেতিয়া, আপোনালোকে চকুৰে যি
দেখিব, তাৰ কাৰণেই আপোনালোক মানসিক বিকাৰগ্ৰস্ত হ'ব।
৩৫ যিহোৱাই আপোনালোকৰ আঠু, কৰঙন আৰু ভৰি তলুৱাৰ পৰা
মূৰলৈকে, সুস্থ কৰিব নোৱাৰা বিহ ফোঁহোৰাৰে আপোনালোকক
আক্ৰান্ত কৰিব। ৩৬ যিহোৱাই আপোনালোকে মনোনীত কৰা ৰজাক
আৰু আপোনালোকক এনে এটা জাতিৰ ওচৰলৈ লৈ যাব, যাক
আপোনালোকে আৰু আপোনালোকৰ পূৰ্বপুৰুষসকলেও নাজানে। সেই
ঠাইত আপোনালোকে কাঠ আৰু শিলৰ আন দেৱতাবোৰৰ মুৰ্ত্তিক
সেৱাপূজা কৰিব। ৩৭ যিহোৱাই আপোনালোকক যি সকলো জাতিৰ
মাজলৈ লৈ যাব, সেইসকলৰ মাজত আপোনালোক এক ত্ৰাস, প্ৰবাদ
আৰু বিদ্ৰূপৰ বিষয় হ'ব। ৩৮ আপোনালোকে খেতিলৈ অধিক বীজ লৈ
যাব, কিন্তু গোটাব অলপহে; কিয়নো কাকতি ফৰিঙে তাক বিনষ্ট কৰিব।
৩৯ আপোনালোকে দ্ৰাক্ষাবাৰী পাতিব আৰু তাৰ যত্নও ল'ব, কিন্তু
দ্ৰাক্ষাৰস পান কৰিবলৈ বা আঙুৰ চপাবলৈ নাপাব; কিয়নো পোকে তাক
খাই পেলাব। ৪০ আপোনালোকৰ গোটেই দেশৰ সীমাৰ ভিতৰত জিত
গছ হ'ব, কিন্তু আপোনালোকে তেল ঘঁহিবলৈ নাপাব; কিয়নো তাৰ ফল
সৰি যাব। ৪১ আপোনালোকৰ ল'ৰা-ছোৱালী জন্মিব, কিন্তু তেওঁলোক

আপোনালোকৰ নহ'ব; কিয়নো তেওঁলোকক বন্দী কৰি নিয়া হ'ব। ৪২ আপোনালোকৰ ভূমিৰ সকলো গছ-গছনি আৰু ফল জকে জাকে ফৰিঙে আহি ভোগ কৰিব। ৪৩ আপোনালোকৰ মাজত থকা বিদেশী লোক ক্ৰমে ক্ৰমে আপোনালোকৰ ওপৰলৈ উঠি যাব, কিন্তু আপোনালোক ক্ৰমে ক্ৰমে তললৈ যাব। ৪৪ তেওঁলোকে আপোনালোকক ধাৰ দিব, কিন্তু আপোনালোকে তেওঁলোকক ধাৰ দিব নোৱাৰিব; তেওঁলোক মূৰ হ'ব আৰু আপোনালোক নেগুৰ হ'ব। ৪৫ এই সকলো শাও আপোনালোকৰ ওপৰত পৰিব। আপোনালোকে আপোনালোকৰ ঈশ্বৰ যিহোৱাই দিয়া আজ্ঞা আৰু বিধিবোৰ পালন কৰিবলৈ কাণ নিদিয়াৰ কাৰণে এই সকলো ঘটিব। আপোনালোক বিনষ্ট নোহোৱা পৰ্যন্ত এই সকলোবোৰে আপোনালোকৰ পাছ নেৰিব। ৪৬ এই শাওবোৰ আপোনালোকৰ আৰু আপোনালোকৰ বংশৰ ওপৰত চিৰকাললৈকে চিন আৰু অদ্ভুত লক্ষণ স্বৰূপে থাকিব। ৪৭ কাৰণ, আপোনালোক যেতিয়া ঐশ্বৰ্য্যৰে পূৰ্ণ হৈ আছিল, তেতিয়া আপোনালোকে অন্তৰৰ আনন্দ আৰু উল্লাসেৰে ঈশ্বৰ যিহোৱাৰ সেৱা নকৰিলে। ৪৮ এই কাৰণে, যি শত্ৰুবোৰক যিহোৱাই আপোনালোকৰ বিৰুদ্ধে পঠাব, আপোনালোকে ভোক, পিয়াহ, বস্ত্ৰ আৰু দৰিদ্ৰতা এই সকলো বস্তুৰ অভাৱত সেই শত্ৰুবোৰৰ বন্দী কাম কৰিব আৰু তেওঁ আপোনালোকক বিনষ্ট নকৰালৈকে আপোনালোকৰ ডিঙিত লোহাৰ যুৱলি থৈ দিব। ৪৯ যিহোৱাই দূৰৈৰ পৰা, পৃথিৱীৰ শেষ সীমাৰ পৰা, এনে এক জাতিক আপোনালোকৰ বিৰুদ্ধে লৈ আহিব, যাৰ ভাষা আপোনালোকে বুজিব নোৱাৰিব। ঈগল চৰাইয়ে চিকাৰ ধৰাৰ দৰে সেই জাতি ছোঁ কৰি আপোনালোকৰ ওপৰলৈ নামি আহিব। ৫০ সেইসকল এক নিষ্ঠুৰ জাতি হ'ব। তেওঁলোকে বয়োজ্যেষ্ঠ লোকক সন্মান নকৰিব আৰু ল'ৰা-ছোৱালীবোৰক দয়া-মায়া নকৰিব। ৫১ আপোনালোক ধ্বংস নোহোৱালৈকে তেওঁলোকে আপোনালোকৰ পশুবোৰৰ পোৱালি আৰু খেতিৰ শস্য খাই পেলাব; শেষ পৰ্যন্ত আপোনালোক বিনষ্ট নোহোৱালৈকে শস্য, নতুন দ্ৰাক্ষাৰস বা তেল, আপোনালোকৰ পশুবোৰৰ বা মেৰ-ছাগৰ জাকৰ পোৱালিকো অৱশিষ্ট নাৰাখিব। ৫২

তেওঁলোকে আপোনালোকৰ নগৰৰ দুৱাৰবোৰ অৱৰোধ কৰি ৰাখিব, আৰু শেষত গোটেই দেশৰ যিবোৰ ওখ আৰু দৃঢ় গড়ত আপোনালোকে ভাৰসা কৰিব, সেয়ে ভাঙি পৰিব। আপোনালোকৰ ঈশ্বৰ যিহোৱাই যি দেশ আপোনালোকক দিবলৈ গৈছে, সেই দেশৰ সকলো নগৰৰ দুৱাৰৰ ভিতৰত সেই জাতিয়ে আপোনালোকক অৱৰোধ কৰি ৰাখিব। ৫৩ অৱৰোধৰ কালত শত্ৰুবোৰে আপোনালোকক এনে কষ্টৰ অৱস্থালৈ নিব যে, আপোনালোকে আপোনালোকৰ ঈশ্বৰ যিহোৱাই দিয়া নিজৰ গৰ্ভৰ সন্তান সকলক, নিজৰ ল'ৰা-ছোৱালীবোৰৰ গাৰ মঙহ খাব। ৫৪ সেই অৱস্থাত আপোনালোকৰ মাজৰ যি লোক কোমল স্বভাৱৰ আৰু অতি শান্ত, তেৰোঁ নিজ ভাই, নিজৰ মৰমৰ ভাৰ্যা আৰু তেওঁৰ বাকী থকা নিজৰ ল'ৰা-ছোৱালীবোৰৰ প্ৰতি এনেৰূপ নিষ্ঠুৰ হৈ উঠিব। ৫৫ নিজৰ যি সন্তানৰ মাংস তেওঁ খাব, তাৰ অলপো তেওঁ তেওঁলোকক নিদিব। কাৰণ, যেতিয়া আপোনালোকৰ শত্ৰুৱে নগৰৰ দুৱাৰবোৰৰ ভিতৰত আপোনালোকক অৱৰোধ কৰি ৰাখি কষ্ট দিব, তেতিয়া সেই খিনিৰ বাহিৰে নিজৰ বাবে খাবলৈ আন একোকে নাথাকিব। ৫৬ আপোনালোকৰ মাজৰ যি মহিলা কোমল স্বভাৱৰ আৰু অতি শান্ত; আলসুৱাৰ কাৰণে মাটিত ভৰি পেলাবলৈ ইচ্ছা নকৰা, তেৰোঁ নিজৰ প্ৰিয় স্বামী আৰু ল'ৰা-ছোৱালীৰ প্ৰতি নিষ্ঠুৰ হ'ব। ৫৭ সন্তান জন্ম দিয়াৰ পাছতে সেই নৱজাতক, এনেকি নিজৰ দুই ভৰিৰ মাজৰ পৰা ওলোৱা পাচ-শূল আৰু নিজে প্ৰসৱ কৰা নিজ সন্তানসকললৈও তেওঁ নিষ্ঠুৰ হ'ব; আপোনালোকক অৱৰোধ কৰাৰ সময়ত আপোনালোকৰ শত্ৰুসকলে যেতিয়া আপোনালোকক কষ্ট দিব, তেতিয়া অভাৱত তেওঁ সেইবোৰ মনে মনে খাব। ৫৮ 'আপোনালোকৰ ঈশ্বৰ যিহোৱা' বুলি তেওঁৰ এই যি গৌৰৱময় আৰু ভয়ানক নামৰ সন্মান কৰিবলৈ, এই পুস্তকত যি সকলো নিয়ম লিখা আছে, সেইবোৰ যদি আপোনালোকে যত্নেৰে সৈতে পালন নকৰে, ৫৯ তেন্তে যিহোৱাই আপোনালোকৰ আৰু আপোনালোকৰ বংশধৰৰ ওপৰত ভয়ঙ্কৰ মহামাৰী আনিব; সেইবোৰ অনেক দিনলৈকে বৰ্তি থকা মহা-মহামাৰী আৰু ভীষণ কষ্টদায়ক ৰোগ হ'ব। ৬০ মিচৰ দেশত যি সকলো ৰোগ দেখি

আপোনালোকে ভয় কৰিছিল, তেওঁ সেই সকলোবোৰ আপোনালোকৰ ওপৰলৈ আনিব আৰু সেইবোৰে আপোনালোকক নেৰিব। ৬১ তাৰ বাহিৰেও, আপোনালোক বিনষ্ট নোহোৱালৈকে যিহোৱাই এনে সকলো ৰোগ আৰু মহামাৰী আপোনালোকৰ ওপৰলৈ আনিব, যি এই ব্যৱস্থা-পুস্তকত লিখা হোৱা নাই। ৬২ আপোনালোকৰ জনসংখ্যা আকাশৰ তৰাৰ নিচিনা অসংখ্য হ'লেও, আপোনালোক ঈশ্বৰ যিহোৱাৰ প্ৰতি অবাধ্য হোৱাৰ কাৰণে তেতিয়া কেৱল কেইজনমানহে অৱশিষ্ট জীয়াই থাকিব। ৬৩ আপোনালোকৰ মঙ্গল ও আপোনালোকক বৃদ্ধি কৰিবলৈ যেনেকৈ যিহোৱাই আনন্দ কৰিছিল, তেনেকৈ আপোনালোকক বিনষ্ট কৰি নাশ কৰিবলৈ যিহোৱাই আপোনালোকত আনন্দ কৰিব। যি দেশ আপোনালোকে অধিকাৰ কৰিবলৈ গৈ আছে, সেই দেশৰ পৰা আপোনালোকক উঘলা যাব। ৬৪ তাৰ পাছত যিহোৱাই পৃথিবীৰ ইমুৰৰ পৰা সিমুৰলৈকে জাতিবোৰৰ মাজত আপোনালোকক সিচঁৰিত কৰিব; আপোনালোকে সেই ঠাইত আপোনালোকৰ বা আপোনালোকৰ পূৰ্ব-পুৰুষসকলৰ অজানা কাঠৰ আৰু শিলৰ আন দেৱ-মূৰ্তিৰ সেৱা-পূজা কৰিব। ৬৫ সেই জাতিবোৰৰ মাজত আপোনালোকে একো সুখ নাপাব আৰু আপোনালোকৰ ভৰি-তলুৱাই জিৰণী নাপাব; কিন্তু যিহোৱাই সেই ঠাইত আপোনালোকৰ বুকু কঁপাব, চকু দুৰ্ব্বল কৰিব আৰু অন্তৰ নিৰাশাৰে ভৰাই দিব; ৬৬ আপোনালোকৰ আগত আপোনালোকৰ জীৱন সন্দেহৰ সূতাত ছিগো-ছিগোহে ওলমি থাকিব আৰু দিনে-ৰাতিয়ে ভয় ভাৰেৰে থাকিব আৰু জীৱনৰ একো আশা নাথাকিব। ৬৭ আপোনালোকে ৰাতিপুৱা ক'ব, 'ইচ, কেতিয়া সন্ধিয়া হ'ব!' আৰু সন্ধিয়া হ'লে ক'ব, 'ইচ কেতিয়া ৰাতিপুৱা হ'ব!' কাৰণ আপোনালোকৰ অন্তৰত ভয় থাকিব আৰু চকুৰে অনেক বিষয় দেখিব। ৬৮ মিচৰ সম্বন্ধে মই আপোনালোকক কৈছিলোঁ 'আপোনালোকে পুনৰ মিচৰৰ পথ নেদেখিব।' কিন্তু যিহোৱাই আপোনালোকক সেই পথেদি মিচৰ দেশলৈ জাহাজেৰে পুনৰায় লৈ আনিব। সেই ঠাইত আপোনালোকে নিজক দাস আৰু দাসী হিচাবে শত্ৰুবোৰৰ ওচৰত বিক্ৰী কৰিবলৈ বিচাৰিব, কিন্তু কোনেও আপোনালোকক নিকিনিব।

২৯ যিহোৱাই হোৰেব পাহাৰত মোচিৰ যোগেদি ইস্রায়েলীয়াসকলৰ
কাৰণে এক নিয়ম স্থাপন কৰিছিল। সেই নিয়মৰ উপৰিও যিহোৱাই
মোৱাব দেশত ইস্রায়েলীয়াসকলৰ কাৰণে আন কিছুমান নিয়ম স্থাপন
কৰিবলৈ মোচিক আজ্ঞা দিলে। ২ মোচিয়ে সকলো ইস্রায়েলীয়া
লোকক মাতি ক'লে, "যিহোৱাই মিচৰ দেশত ফৰৌণ, তেওঁৰ সকলো
কৰ্মচাৰীলৈ আৰু গোটেই দেশখনলৈ যি যি কৰিছিল সেই সকলো
কাৰ্য আপোনালোকে নিজেই দেখিলে; ৩ তেওঁলোকলৈ হোৱা সেই
মহাক্লেশ, নানা চিন আৰু আশ্চৰ্য কাৰ্যবোৰ আপোনালোকে নিজ চকুৰে
দেখিছিল। ৪ কিন্তু আপোনালোকক আজিলৈকে যিহোৱাই সেইবোৰ
বুজিবলৈ মন, চাবলৈ চকু আৰু শুনিবলৈ কাণ দিয়া নাই।" ৫ যিহোৱাই
চল্লিশ বছৰ ধৰি আপোনালোকক মৰুভূমিত নেতৃত্ব দি চলাই আনিলে;
সেই সময়ত আপোনালোকৰ গাৰ কাপোৰ আৰু জোতা পুৰণি হৈ ফাটি
নষ্ট নাছিল। ৬ আপোনালোকৰ খাবলৈ কোনো পিঠা নাছিল; দ্ৰাক্ষাৰস
বা আন মদিৰাৰ ৰস পান কৰা নাছিল। কিয়নো যিহোৱাই তেনে
কৰিছিল যাতে আপোনালোকে বুজিব পাৰে যে তেৱেঁই আপোনালোকৰ
ঈশ্বৰ যিহোৱা। ৭ আপোনালোকে এই ঠাই পোৱাৰ পাছত, হিচবোনৰ
ৰজা চীহোন আৰু বাচানৰ ৰজা ওগে আমাৰে সৈতে যুদ্ধ কৰিবলৈ
ওলাই আহিছিল, কিন্তু আমি তেওঁলোকক পৰাজয় কৰিলোঁ; ৮ আমি
তেওঁলোকৰ দেশ অধিকাৰ কৰি ৰূবেণীয়া ও গাদীয়া, আৰু মনচি
গোষ্ঠীৰ আধা লোকক দিলোঁ। ৯ গতিকে আপোনালোকে যি কাৰ্য কৰিব,
সেই সকলোতে যেন কৃতকাৰ্য হ'ব পাৰে, সেইবাবে আপোনালোকে
এই নিয়মৰ সকলো আজ্ঞা পালন কৰি সেই মতে কাৰ্য কৰিব। ১০
আপোনালোক সকলোৱে আজি আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ
সন্মুখত আহি থিয় হৈছে - আপোনালোকৰ প্ৰধানসকল, গোষ্ঠীবোৰ,
পৰিচাৰকসকল আৰু কৰ্মচাৰীকে ধৰি গোটেই ইস্রায়েলীয়াসকল
থিয় হৈছে। ১১ আপোনালোকৰ লগত সৰু সৰু ল'ৰা-ছোৱালী,
ভাৰ্যা আৰু আপোনালোকৰ ছাউনিত বাস কৰা আপোনালোকৰ
বিদেশী খৰিকটীয়াৰ পৰা পানী তোলা জনলৈকে সকলো আছে। ১২
আপোনালোকৰ ঈশ্বৰ যিহোৱাই আপোনালোকৰ সৈতে কৰা প্ৰতিজ্ঞা

আৰু নিয়ম স্থাপন কৰিবৰ কাৰণে আজি আপোনালোক সকলো ইয়াত আছে। ১৩ যিহোৱাই আজি ইয়াক স্থাপন কৰিছে যাতে আপোনালোকৰ পূৰ্বপুৰুষ অব্ৰাহাম, ইচহাক, আৰু যাকোবৰ আগত কৰা শপত আৰু আপোনালোকৰ ওচৰত কৰা প্ৰতিজ্ঞা অনুসাৰে তেওঁ আপোনালোকৰ ঈশ্বৰ হ'ব পাৰে আৰু আজিয়েই আপোনালোকক নিজৰ লোক কৰি ল'ব পাৰে। ১৪ কেৱল আপোনালোকৰ সৈতে আমাৰ ঈশ্বৰ যিহোৱাই এই নিয়ম আৰু প্ৰতিজ্ঞা কৰা নাই। ১৫ আমাৰ ঈশ্বৰ যিহোৱাৰ সন্মুখত আজি এই ঠাইত আমাৰ সৈতে যিসকল থিয় হৈ আছে, কেৱল তেওঁলোক প্ৰতিজনৰ সৈতে তেওঁ এই নিয়ম আৰু প্ৰতিজ্ঞা কৰা নাই, কিন্তু আমাৰ উত্তৰপুৰুষ যিসকলৰ আজি জন্ম হোৱা নাই তেওঁলোকৰ সৈতেও কৰিছে। ১৬ আপোনালোকে নিজেই জানে, মিচৰ দেশত আমি কেনেদৰে জীৱন অতিবাহিত কৰিছিলোঁ আৰু বাটত কেনেকৈ আমি বিভিন্ন দেশৰ মাজেদি পাৰ হৈ এই ঠাই পালোহি। ১৭ আপোনালোকে লোকসকলৰ মাজত থকা ঘিণলগীয়া বস্তুবোৰ দেখা পাইছিল; কাঠ আৰু শিলৰ, ৰূপ আৰু সোণৰ মূৰ্তিবোৰ লোকসকলৰ মাজত দেখিছিল। ১৮ সেয়ে আপোনালোকৰ মাজত যেন আজি এনে কোনো পুৰুষ বা মহিলা নাইবা কোনো পৰিয়াল বা গোষ্ঠী নাথাকক, যাৰ অন্তৰ আমাৰ ঈশ্বৰ যিহোৱাৰ পৰা দূৰ হৈ সেই জাতিবোৰৰ দেৱতাবোৰৰ পূজা কৰাত আগ্ৰহী। তেনে কোনো বিষাক্ত তিতা ফল উৎপন্ন কৰা শিপা আপোনালোকৰ মাজত গঢ় লৈ নুঠক। ১৯ এনে ধৰণৰ ব্যক্তিয়ে এই নিয়মৰ কথাবোৰ শুনাৰ সময়ত যদি নিজকে ভাগ্যৱান বুলি ভাৱিছে আৰু নিজে মনতে কয়, 'মই মোৰ ঠৰডিঙীয়া হৃদয়েৰে ইচ্ছামতে চলি থাকিলেও নিৰাপদ হৈ শান্তিত থাকিম,' তেন্তে সেই ব্যক্তিয়ে কেৱল নিজৰেই নহয়, কিন্তু আপোনালোক সকলোৰে ওপৰত সৰ্বনাশ মাতি আনিব; যিহোৱাই দুষ্ট শুকান অৱস্থাৰ লগতে ভাল ভিজা অৱস্থাকো নষ্ট কৰিব। ২০ যিহোৱাই তেওঁক কেতিয়াও ক্ষমা কৰিবলৈ সন্মত নহ'ব, কিন্তু যিহোৱাৰ ক্ৰোধ আৰু বিদ্বেষ সেই ব্যক্তিৰ অহিতে প্ৰজ্বলিত হ'ব; এই পুস্তকত লিখা সকলো শাও তেওঁৰ ওপৰত পৰিব আৰু আকাশৰ তলৰ পৰা তেওঁৰ নাম যিহোৱাই লুপ্ত কৰিব। ২১ যিহোৱাই

ইস্ৰায়েলৰ সকলো গোষ্ঠীৰ মাজৰ পৰা বিনষ্ট কৰিবৰ কাৰণে তেওঁক
পৃথক কৰিব আৰু এই ব্যৱস্থা পুস্তকত লিখা নিয়মৰ মাজেদি যি
সকলো শাওৰ কথা আছে, সেই অনুসাৰে বিনষ্ট কৰিব। ২২ এইদৰে
এই দেশৰ ওপৰত যি সকলো বিপদ নামি আহিব আৰু যিহোৱাই
যি সকলো ৰোগ দেশৰ ওপৰলৈ পঠাব, সেইবোৰ দেখি ভৱিষ্যতে
আপোনালোকৰ উত্তৰপুৰুষসকলে, সন্তান সকলে আৰু দূৰ দেশৰ পৰা
অহা বিদেশীসকলে আপোনালোকক সেই বিষয়ে প্ৰশ্ন কৰিব। ২৩
তেওঁলোকে দেখা পাব সমগ্ৰ দেশ জ্বলন্ত গন্ধক আৰু লোণেৰে পুৰি
গৈছে; দেশত একোকে সিঁচিব নোৱাৰিব আৰু কোনো ফল উৎপন্ন
নহ'ব; এনেকি ঘাঁহ-বন, শাক-পাচলিও গজি নুঠিব। এই দেশৰ অৱস্থা
চদোম, ঘমোৰা, অদ্মা, আৰু চবোয়ীম নগৰৰ দৰে হ'ব, যি নগৰবোৰক
যিহোৱাই খং আৰু ক্ৰোধত ক্ৰোধান্বিত হৈ ধ্বংস কৰি দিছিল। ২৪
তাকে দেখি আন জাতিবোৰে ক'ব এনেকি, আটাই জাতিয়ে সুধিব,
'যিহোৱাই কিয় এই দেশৰ এনে দশা কৰিলে? এই মহা ক্ৰোধ জ্বলি
উঠাৰ কাৰণ কি?' ২৫ তেতিয়া লোক সকলে ক'ব, 'কাৰণ এই জাতিয়ে
তেওঁলোকৰ পূৰ্ব-পুৰুষসকলৰ ঈশ্বৰ যিহোৱাৰ নিয়ম ত্যাগ কৰিলে, যি
নিয়ম তেওঁলোকক মিচৰ দেশৰ পৰা উলিয়াই অনাৰ পাছত যিহোৱাই
তেওঁলোকৰ বাবে স্থাপন কৰিছিল। ২৬ তেওঁলোকে ঈশ্বৰ যিহোৱাক
এৰি যি দেৱ-দেবীক তেওঁলোকে নাজানে, সেই আন দেৱতাবোৰৰ
আগত প্ৰণিপাত কৰি সেইবোৰৰ সেৱা পূজা কৰিলে, যিসকলক পূজা
কৰাৰ আজ্ঞা যিহোৱাই দিয়া নাছিল। ২৭ এই হেতুকে, যিহোৱাৰ খং
এই দেশৰ ওপৰত প্ৰজ্বলিত হৈ উঠিছে আৰু তেওঁ এই পুস্তকত লিখা
সকলো শাও এই দেশৰ ওপৰত ঢালি দিছে। ২৮ অত্যন্ত খং, ভয়ঙ্কৰ
ক্ৰোধ আৰু মহা কোপত যিহোৱাই তেওঁলোকক দেশৰ পৰা উঘালি
আনি আন দেশত পেলাই দিলে আৰু সেই ঠাইতে আজি তেওঁলোক
আছে।' ২৯ কিছু গোপন বিষয় আছে, যি আমাৰ ঈশ্বৰ যিহোৱাৰ
অধিকাৰত আছে; কিন্তু যি প্ৰকাশিত হৈছে, সেই সকলোৱেই চিৰকালৰ
কাৰণে আমাৰ আৰু আমাৰ সন্তান সকলৰ কাৰণে থাকিব যাতে এই
নিয়মৰ সকলো আজ্ঞা আমি পালন কৰি চলিব পাৰোঁ।

৩০ মই আপোনালোকৰ আগত আশীৰ্ব্বাদ আৰু শাওৰ বিষয়ে যি
যি কথা কলোঁ, সেইবোৰ আপোনালোকৰ ওপৰলৈ আহিব। তাৰ
পাছত আপোনালোকৰ ঈশ্বৰ যিহোৱাই যি সকলো জাতিবোৰৰ মাজত
আপোনালোকক উলিয়াই পঠিয়াব, সেই জাতিবোৰৰ মাজত থাকোতে
এইবোৰ কথা আপোনালোকে সোঁৱৰণ কৰিব। ২ সেই সময়ত
আপোনালোক আৰু আপোনালোকৰ সন্তান সকলে যদি সকলো মনেৰে
আৰু সকলো প্ৰাণেৰে নিজ ঈশ্বৰ যিহোৱালৈ ঘূৰি আহে আৰু আজি
মই আপোনালোকক যিসকলো আজ্ঞা দিছো সেই সকলো পালন
কৰে, ৩ তেন্তে আপোনালোকৰ ঈশ্বৰ যিহোৱাই আপোনালোকৰ
বন্দী-অৱস্থা সলনি কৰিব, আৰু আপোনালোকক কৃপা কৰিব আৰু যি
জাতিবোৰৰ মাজত তেওঁ আপোনালোকক সিচঁৰিত কৰিব, সেইসকল
জাতিৰ মাজৰ পৰা পুনৰায় আপোনালোকক আনি গোটাব। ৪
এনেকি দেশান্তৰিত হোৱা আপোনালোকৰ কোনো আকাশৰ তলত
দূৰৈৰ শেষ সীমাতো যদি থাকে, আপোনালোকৰ ঈশ্বৰ যিহোৱাই
তাৰ পৰাও আপোনালোকক গোটাই আনিব; তাৰ পৰাও তেওঁ
আপোনালোকক লৈ আনিব। ৫ আপোনালোকৰ পূৰ্ব-পুৰুষসকলৰ
দেশলৈকে তেওঁ আপোনালোকক ঘূৰাই আনিব আৰু আপোনালোকে
তাক পুনৰ অধিকাৰ কৰিব। তেওঁ আপোনালোকৰ মঙ্গল কৰিব আৰু
পূৰ্বপুৰুষসকলতকৈও আপোনালোকৰ জনসংখ্যা বৃদ্ধি কৰিব। ৬
আপোনালোকে যাতে আপোনালোকৰ সকলো মন ও সকলো প্ৰাণেৰে
নিজ ঈশ্বৰ যিহোৱাক প্ৰেম কৰি জীয়াই থাকে, সেইবাবেই তেওঁ
আপোনালোকৰ আৰু আপোনালোকৰ বংশধৰসকলৰ হৃদয়ৰ চুন্নত
কৰিব। ৭ যিসকলে আপোনালোকক ঘৃণা আৰু তাড়না কৰিব, এই
সকলো শাও যিহোৱাই আপোনালোকৰ সেই শত্ৰুবোৰৰ ওপৰত
আনিব ৮ তেতিয়া আপোনালোকে পুনৰ উলটি আহি যিহোৱাৰ বাধ্য
হৈ চলিব আৰু তেওঁৰ যি সকলো আজ্ঞা আজি মই আপোনালোকক
দিছো, সেইবোৰ পালন কৰিব। ৯ আপোনালোকৰ ঈশ্বৰ যিহোৱাই
আপোনালোকৰ হাতে কৰা সকলো কাৰ্যতে প্ৰচুৰ আশীৰ্বাদ কৰিব।
আপোনালোকৰ গৰ্ভফল, পশুধনৰ গৰ্ভফল আৰু ভূমিৰ শস্য বৃদ্ধি

কৰি আপোনালোকক ঐশ্বৰ্যশালী কৰিব। কিয়নো আপোনালোকৰ পূৰ্বপুৰুষসকলক লৈ যিহোৱাই যি আনন্দ কৰিছিল, আপোনালোকৰ ঐশ্বৰ্যৰ বাবে তেওঁ পুনৰ আপোনালোকক লৈ আনন্দ কৰিব। ১০ অৱশ্যে তেওঁ এইদৰে কৰিব, যদিহে আপোনালোকে আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ আজ্ঞা আৰু নিয়মবোৰ পালন কৰে; সকলো মন আৰু সকলো প্ৰাণেৰে সৈতে আপোনালোকৰ ঈশ্বৰ যিহোৱালৈ ঘূৰে। ১১ মই আজি আপোনালোকক যি আজ্ঞা দিছোঁ, তাক পালন কৰাটো আপোনালোকৰ কাৰণে কঠিন নহয় বা আপোনালোকৰ সাধ্যৰ বাহিৰতো নহয়। ১২ এই আজ্ঞা স্বৰ্গতো ৰখা হোৱা নাই যে, আপোনালোকে ক'ব, "কোনে স্বৰ্গলৈ গৈ আমাৰ কাৰণে তাক আনি শুনাব যাতে আমি তাক পালন কৰিব পাৰোঁ?" ১৩ এই আজ্ঞা সমুদ্ৰৰ সিপাৰেও নাই যে আপোনালোকে ক'ব, "কোনে সমুদ্ৰ পাৰ হৈ আমাৰ কাৰণে তাক আনি শুনাব যাতে আমি তাক পালন কৰিব পাৰোঁ?" ১৪ কিন্তু বাক্য আপোনালোকৰ নিচেই ওচৰতে আছে; আপোনালোকৰ মুখত আৰু হৃদয়তে আছে যাতে আপোনালোকে তাক পালন কৰিব পাৰে। ১৫ শুনক, মই আজি আপোনালোকৰ আগত জীৱন আৰু মৃত্যু, মঙ্গল আৰু অমঙ্গল ৰাখিছোঁ। ১৬ আজি আপোনালোকৰ ওচৰত মোৰ আজ্ঞা এই যে, আপোনালোকে আপোনালোকৰ ঈশ্বৰ যিহোৱাক প্ৰেম কৰিব, তেওঁৰ পথত চলিব, আৰু তেওঁৰ আজ্ঞা, বিধি আৰু শাসন-প্ৰণালীবোৰ পালন কৰিব। তেনে কৰিলে আপোনালোক জীয়াই থাকিব আৰু সংখ্যাত বৃদ্ধি পাব; যি দেশ আপোনালোকে অধিকাৰ কৰিবলৈ গৈ আছে, সেই দেশত আপোনালোকৰ ঈশ্বৰ যিহোৱাই আপোনালোকক আশীৰ্ব্বাদ কৰিব। ১৭ কিন্তু যদি আপোনালোকৰ অন্তৰ প্ৰভুৰ পৰা আঁতৰি যায় আৰু আপোনালোক তেওঁৰ অবাধ্য হয়; যদি আপোনালোকে আন দেৱ-দেৱীৰ প্ৰতি আকৰ্ষিত হৈ সেইবোৰৰ আগত প্ৰণিপাত কৰি সেৱা পূজা কৰে, ১৮ তেন্তে আজি মই আপোনালোকক জনাইছোঁ যে, আপোনালোক নিশ্চয়ে ধ্বংস হৈ যাব। যৰ্দ্দন নদী পাৰ হৈ যি দেশ আপোনালোকে আধিপত্যৰ অৰ্থে গৈ আছে, সেই দেশত আপোনালোক দীৰ্ঘজীৱি নহ'ব। ১৯ মই আপোনালোকৰ বিৰুদ্ধে আকাশ-মণ্ডল

আৰু পৃথিবীক সাক্ষী কৰি কৈছোঁ যে, আজি মই আপোনালোকৰ
সন্মুখত জীৱন আৰু মৃত্যু, আশীৰ্ব্বাদ আৰু শাও ৰাখিছোঁ; সেয়ে,
আপোনালোক আৰু আপোনালোকৰ ভাবীবংশ যেন জীয়াই থাকিব
পাৰে আপোনালোকে জীৱনক মনোনীত কৰক। ২০ আপোনালোকৰ
ঈশ্বৰ যিহোৱাক প্ৰেম কৰক, তেওঁৰ বাক্যলৈ কাণ দিয়ক আৰু তেওঁতেই
আসক্ত হৈ থাকক। কাৰণ প্ৰভুৱেই আপোনালোকৰ জীৱন আৰু
তেঁৱেই আপোনালোকক দীৰ্ঘজীৱি কৰিব। আপোনালোকৰ পূৰ্বপুৰুষ
অব্ৰাহাম, ইচহাক, আৰু যাকোবক যি দেশ দিম বুলি তেওঁলোকৰ
আগত যিহোৱাই প্ৰতিজ্ঞা কৰিছিল, সেই দেশত বাস কৰিবৰ অৰ্থে
আপোনালোকে জীৱনক মনোনীত কৰক।

**৩১** পাছত মোচিয়ে ইস্ৰায়েলীয়া লোকসকলক এইবোৰ কথা ক'লে,
২ "মোৰ বয়স এতিয়া এশ বিশ বছৰ হ'ল; মই চলা-ফুৰা কৰিব
নোৱাৰা হৈছোঁ; যিহোৱাই মোক কৈছে, 'তুমি এই যৰ্দ্দন নদী পাৰ হৈ
নাযাবা।'' ৩ আপোনালোকৰ ঈশ্বৰ যিহোৱা নিজেই আপোনালোকৰ
আগে আগে পাৰ হৈ যাব; তেৱেঁই আপোনালোকৰ সন্মুখৰ পৰা এই
সকলো জাতিবোৰক বিনষ্ট কৰিব আৰু আপোনালোকে তেওঁলোকৰ
দেশ অধিকাৰ কৰিব। যিহোৱাৰ আজ্ঞা অনুসাৰে যিহোচূৱাই নদী পাৰ
হৈ আপোনালোকৰ আগেয়ে পাৰ হৈ যাব। ৪ ইমোৰীয়াসকলৰ ৰজা
চীহোন আৰু ওগ এই দুজনক আৰু তেওঁলোকৰ দেশক যিহোৱাই
যেনেকৈ বিনষ্ট কৰিছিল, তেনেকৈয়ে তেওঁ এই সকলো জাতিকে বিনষ্ট
কৰিব। ৫ যুদ্ধক্ষেত্ৰত যিহোৱাই তেওঁলোকক আপোনালোকৰ হাতত
শোধাই দিব আৰু মই আপোনালোকক দিয়া সকলো আজ্ঞা অনুসাৰে
আপোনালোকে তেওঁলোকৰ প্ৰতি ব্যৱহাৰ কৰিব। ৬ আপোনালোক
শক্তিশালী হওঁক আৰু অতিশয় সাহিয়াল হওঁক; তেওঁলোকক দেখি ভয়
নকৰিব বা কঁপিও নুঠিব; কিয়নো আপোনালোকৰ ঈশ্বৰ যিহোৱা নিজেই
আপোনালোকৰ লগত যাওঁতা; তেওঁ আপোনালোকক কেতিয়াও নেৰিব
বা ত্যাগ নকৰিব। ৭ তাৰ পাছত মোচিয়ে যিহোচূৱাক মাতিলে আৰু
সকলো ইস্ৰায়েলীয়া লোকৰ সন্মুখত তেওঁক ক'লে, "তুমি বলৱান আৰু
সাহিয়াল হোৱা; কিয়নো তুমিয়েই এই লোকসকলৰ লগত সেই দেশলৈ

যাব লাগিব, যি দেশ দিবলৈ যিহোৱাই তেওঁলোকৰ পূৰ্বপুৰুষসকলৰ আগত প্ৰতিজ্ঞা কৰিছিল; সেই দেশত এই লোকসকলৰে সৈতে তুমিহে সোমাবা আৰু এওঁলোকক তুমিহে সেই দেশত অধিকাৰ কৰাবা। ৮
যিহোৱা নিজেই তোমাৰ আগে আগে যাব আৰু তোমাৰ সঙ্গে সঙ্গে থাকিব; তেওঁ তোমাক কেতিয়াও নেৰিব বা ত্যাগ নকৰিব; তুমি ভয় নকৰিবা আৰু নিৰুৎসাহ নহ'বা।" ৯ মোচিয়ে এই ব্যৱস্থা লিখি যিহোৱাৰ
নিয়ম চন্দুক কঢ়িয়াই নিয়া লেবী গোষ্ঠীৰ পুৰোহিতসকলক আৰু ইস্রায়েলৰ পৰিচাৰক সকলৰ হাতত দিলে। ১০ মোচিয়ে তেওঁলোকক
এই আজ্ঞা দিলে, "প্ৰত্যেক সপ্তম বছৰৰ অন্তত, ধাৰ ক্ষমাৰ বছৰত অৰ্থাৎ যেতিয়া পঁজা-পৰ্ব্বৰ সময় আহিব, ১১ যি সময়ত ইস্রায়েলীয়া
সকলো লোক আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ সন্মুখত উপস্থিত হ'বৰ কাৰণে তেওঁৰ মনোনীত ঠাইলৈ আহিব, তেতিয়া আপোনালোকে এই ব্যৱস্থা অৱশ্যেই লোক সকলৰ আগত তেওঁলোকে শুনাকৈ
পাঠ কৰিব। ১২ আপোনালোকে পুৰুষ, মহিলা, ল'ৰা-ছোৱালীকে
আদি কৰি নগৰৰ দুৱাৰৰ ভিতৰত আপোনালোকৰ মাজত বাস কৰা বিদেশী লোক সকলোকে একগোট কৰিব। তেওঁলোকেও এই ব্যৱস্থা শুনি শিকিব পাৰিব আৰু আপোনালোকৰ ঈশ্বৰ যিহোৱাক সন্মান কৰিব। তেওঁলোকে এই ব্যৱস্থাৰ সকলো বাক্য পালন কৰিব। ১৩
তেওঁলোকৰ সন্তান সকলে যদি এইবোৰ কথা নজনাকৈ থাকে, তেন্তে তেওঁলোকেও শুনিব আৰু আপোনালোকৰ ঈশ্বৰ যিহোৱাক সন্মান কৰিবলৈ শিকিব; যি দেশ অধিকাৰ কৰিবলৈ আপোনালোকে যৰ্দ্দন নদী পাৰ হৈ যাব, সেই দেশত যিমান দিনলৈকে আপোনালোক জীয়াই থাকিব, সিমান দিনলৈকে তেওঁলোকে আপোনালোকৰ ঈশ্বৰ যিহোৱাক
সন্মান কৰিবলৈ আপোনালোকে এইদৰে কৰিব।" ১৪ পাছত যিহোৱাই
মোচিক ক'লে, "এতিয়া তোমাৰ মৃত্যুৰ সময় ওচৰ চাপি আহিছে; যিহোচূৱাক মাতি আনি তুমি সাক্ষাৎ তম্বুত উপস্থিত হোৱা। সেই ঠাইতে মই যিহোচূৱাক তেওঁৰ কাৰ্যৰ আজ্ঞা দিম।" সেয়ে মোচি আৰু যিহোচূৱা গৈ সাক্ষাৎ কৰা তম্বুত উপস্থিত হ'ল। ১৫ তেতিয়া যিহোৱাই
মেঘস্তম্ভৰ মাজত সেই তম্বুত দেখা দিলে; সেই মেঘস্তম্ভ তম্বুৰ দুৱাৰৰ

ওপৰত ৰৈ আছিল। ১৬ যিহোৱাই মোচিক ক’লে, “শুনা, তুমি তোমাৰ
ওপৰ-পিতৃসকলৰ লগত নিদ্রিত হ’বা; এই লোকসকলে উঠি যি দেশত
সোমাবলৈ গৈ আছে, তেওঁলোক সেই ঠাইৰ লোকৰ মাজত থাকিব;
তেওঁলোকে সেই দেশৰ আন দেৱতাবোৰৰ পাছত চলি ব্যভিচাৰৰ
দৰে কাৰ্য কৰিব আৰু মোক ত্যাগ কৰিব; মই তেওঁলোকৰ সৈতে কৰা
মোৰ নিয়মটিও তেওঁলোকে ভাঙিব। ১৭ যিদিনা তেওঁলোকে এইদৰে
কৰিব, সেইদিনা তেওঁলোকৰ বিৰুদ্ধে মোৰ ক্ৰোধ প্ৰজ্বলিত হ’ব আৰু
ময়ো তেওঁলোকক ত্যাগ কৰিম। মই তেওঁলোকৰ পৰা মোৰ মুখ
ঢাকিম আৰু তেওঁলোক ধ্বংস হৈ যাব। তেওঁলোকলৈ অনেক দুখ-
কষ্ট আৰু আপদ ঘটিব; সেইদিনা তেওঁলোকে ক’ব যে, “আমাৰ ঈশ্বৰ
আমাৰ মাজত নথকাৰ কাৰণেই আমাৰ ওপৰত এই সকলো আপদ
নে? ১৮ তেওঁলোকে দেৱতাবোৰলৈ ঘুৰি যি সকলো কুকৰ্ম কৰিব,
সেইবাবে মই অৱশ্যেই সেইদিনা মোৰ মুখ ঢাকিম। ১৯ তোমালোকে
এতিয়া তোমালোকৰ বাবে এই গীত লিখি ৰাখা। এই গীত ইস্ৰায়েলৰ
লোকসকলক শিকাবা আৰু তেওঁলোকক মুখস্থ কৰিবলৈ দিবা। তাতে
এই গীত ইস্ৰায়েলৰ লোকৰ অহিতে মোৰ সাক্ষী হৈ থাকিব। ২০
কিয়নো, যি দেশ দিম বুলি মই তেওঁলোকৰ পূৰ্ব-পুৰুষসকলৰ আগত
প্ৰতিজ্ঞা কৰিছিলোঁ, সেই গাখীৰ আৰু মধু বোৱা দেশলৈ যেতিয়া
মই তেওঁলোকক লৈ যাম আৰু যেতিয়া তেওঁলোকে তৃপ্তিৰে ভোজন
কৰি হৃষ্টপুষ্ট হ’ব, তেতিয়া তেওঁলোকে মোক তুচ্ছ কৰিব আৰু মোৰ
নিয়মটি অগ্ৰাহ্য কৰি আন দেৱতাবোৰলৈ উলটি সেইবোৰৰ সেৱা
পূজা কৰিব। ২১ তাৰ ফলত তেওঁলোকলৈ বহুত দুখ-কষ্ট আৰু বিপদ-
আপদ ঘটিব; তেতিয়া এই গীতেই সাক্ষীস্বৰূপে তেওঁলোকৰ আগত
সাক্ষ্য দিব; কাৰণ তেওঁলোকৰ বংশধৰসকলে মুখস্থ কৰা এই গীত
নাপাহৰিব। কিয়নো, যি দেশ দিম বুলি মই প্ৰতিজ্ঞা কৰিছিলোঁ,
তেওঁলোকক সেই দেশলৈ নিয়াৰ আগেয়েই তেওঁলোকে কৰা মনৰ
পৰিকল্পনা মই জানো।” ২২ সেয়ে মোচিয়ে সেইদিনাই এই গীত
ইস্ৰায়েলৰ লোকসকলক শিকালে। ২৩ তাৰ পাছত যিহোৱাই নুনৰ
পুত্ৰ যিহোচূৱাক আজ্ঞা দি ক’লে, “তুমি বলৱান হোৱা, আৰু অতিশয়

সাহিয়াল হোৱা; কিয়নো, মই ইস্ৰায়েলৰ সন্তান সকলক যি দেশ দিম
বুলি প্ৰতিজ্ঞা কৰিছিলোঁ, সেই দেশলৈ তুমিহে তেওঁলোকক লৈ যাবা
আৰু মই তোমাৰ সঙ্গী হ'ম।” ২৪ মোচিয়ে সম্পূৰ্ণকৈ এই নিয়মৰ
সকলো কথা এখন পুস্তকত লিখিলে। ২৫ তাৰ পাছত যিহোৱাৰ নিয়ম-
চন্দুক বৈ নিওঁতা লেবীয়াসকলক তেওঁ এই আজ্ঞা দিলে, ২৬ “এই
ব্যৱস্থা পুস্তকখন লৈ আপোনালোকে আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ
নিয়ম-চন্দুকৰ কাষত ৰাখক; সেই ঠাইতে এইখন ইস্ৰায়েলীয়াসকলৰ
বিৰুদ্ধে সাক্ষী হৈ থাকিব। ২৭ কিয়নো আপোনালোক যে কিমান
বিদ্ৰোহী আৰু ঠৰ-ডিঙীয়া তাক মই জানো; মই আপোনালোকৰ মাজত
আজি জীয়াই থাকোঁতেও যেতিয়া আপোনালোকে যিহোৱাৰ বিৰুদ্ধে
বিদ্ৰোহ-আচৰণ কৰিছে, তেন্তে মোৰ মৃত্যুৰ পাছত যে ইয়াতকৈ আৰু
কিমান অধিককৈ কৰিব! ২৮ আপোনালোকৰ নিজৰ নিজৰ গোষ্ঠীৰ
সকলো পৰিচাৰক আৰু বিষয়াসকল মোৰ সন্মুখত একগোট হওঁক
যাতে মই তেওঁলোকক এই সকলোবোৰ কথা শুনাব পাৰোঁ; আকাশ
আৰু পৃথিবীক তেওঁলোকৰ বিৰুদ্ধে সাক্ষী কৰি ৰাখিব পাৰোঁ। ২৯
কিয়নো মই জানো যে, মোৰ মৃত্যুৰ পাছত আপোনালোক একেবাৰে
ভ্ৰষ্ট হৈ যাব আৰু যি পথত চলিবলৈ মই আপোনালোকক আজ্ঞা
দিছো, সেই পথৰ পৰা আপোনালোক আতৰি যাব; ভৱিষ্যত কালত
আপোনালোকলৈ বিপদ নামি আহিব; কাৰণ যিহোৱাৰ দৃষ্টিত যি
বেয়া আপোনালোকে তাকে কৰিব আৰু আপোনালোকে নিজ হাতেৰে
কৰা কাৰ্যৰ দ্বাৰাই যিহোৱাক ক্ৰোধিত কৰি তুলিব।” ৩০ তাৰ পাছত
মোচিয়ে ইস্ৰায়েলৰ গোটেই সমাজক এই গীতৰ কথাবোৰ শেষলৈকে
গাই শুনালে।

**৩২** হে আকাশ-মণ্ডল, মোৰ কথালৈ কাণ পাতা; হে পৃথিৱী, মোৰ
মুখৰ কথা শুনা। ২ মোৰ উপদেশ বৰষুণৰ দৰে টোপা-টোপে পৰক,
মোৰ কথা নিয়ৰৰ দৰে নামি আহক; সেয়ে কোমল তৃণৰ ওপৰত লাহে
লাহে পৰা বৰষুণৰ নিচিনা, গছ-গছনিৰ ওপৰত জাক জাক বৰষুণৰ
নিচিনাকৈ পৰক। ৩ কিয়নো মই যিহোৱাৰ নাম ঘোষণা কৰিম;
তোমালোকে আমাৰ যিহোৱাৰ মহিমা প্ৰশংসা কৰা, ৪ তেওঁ আশ্ৰয়

শিলা, তেওঁৰ কাৰ্য নিখুঁত, তেওঁৰ সকলো পথ ন্যায়, তেওঁ বিশ্বস্ত ঈশ্বৰ,
তেওঁ কোনো অন্যায় নকৰে; তেওঁ ন্যায়বান আৰু সৎ। ৫ তেওঁৰ লোকে
তেওঁৰ বিৰুদ্ধে অশিষ্টাচৰণ ব্যৱহাৰ কৰিছে; তেওঁলোকৰ পাপৰ কাৰণে
তেওঁলোক তেওঁৰ সন্তান নহয়, তেওঁলোক এক বিপথগামী আৰু কুটিল
বংশ। ৬ হে অবুজ, বুদ্ধিহীন জাতি, এইৰূপেই তোমালোকে যিহোৱাৰ
পৰিশোধ কৰানে? তেওঁ জানো তোমালোকৰ পিতৃ আৰু স্ৰজনকৰ্তা
নহয়? তেৱেঁই তোমালোকক স্ৰজন কৰি জাতিৰূপে স্থাপন কৰিলে। ৭
সেই পুৰণি দিনবোৰৰ কথা সোঁৱৰা, অনেক পুৰুষৰ আগৰ বৰ্ষবোৰৰ
বিষয়ে ভাৱা, সেই সকলো দিনৰ কথা তোমালোকৰ পিতৃক সোধা,
তেওঁলোকে তোমালোকক জনাব; বৃদ্ধসকলক সোধা, তেওঁলোকে
তোমালোকক ক'ব। ৮ সৰ্ব্বোপৰি ঈশ্বৰে যেতিয়া জাতিবোৰক নিজৰ
আধিপত্য ভাগ কৰি দিলে, মনুষ্যক বিভিন্ন জাতিত ভাগ কৰিলে,
তেতিয়া ইস্ৰায়েল জাতিৰ লোকসংখ্যা অনুসাৰে তেওঁ জাতিবোৰৰ সীমা
স্থিৰ কৰিলে। ৯ কিয়নো যিহোৱাৰ অংশই হৈছে তেওঁৰ লোকসকল,
যাকোবৰ বংশই হ'ল তেওঁৰ অধিকাৰৰ অংশ। ১০ তেওঁ তেওঁক এক
মৰুভূমিত পালে, আৰ্তনাদ ভৰা জয়াল মৰুভুমিত পালে। তেওঁ তেওঁক
আৱৰি ৰাখিলে, যতন কৰিলে, তেওঁ নিজৰ চকুৰ মণিৰ দৰেই তেওঁক
পহৰা দি ৰাখিলে, ১১ যেনেকৈ ঈগল চৰায়ে নিজৰ বাঁহক পহৰা
দিয়ে; যেনেকৈ পোৱালীয়ে উৰিবলৈ ঈগলে সঘনে বাঁহ লৰাই দিয়ে
আৰু তাৰ ওপৰত উৰি ফুৰে, যেনেকৈ সিহঁতক ওপৰলৈ তুলি নিবলৈ
নিজৰ ডেউকা মেলি দিয়ে, আৰু নিজৰ ডেউকাৰ ওপৰত সিহঁতক বৈ
নিয়ে, ১২ তেনেকৈ যিহোৱাই অকলেই যাকোবক চলাই লৈ ফুৰিলে;
তেওঁৰ লগত আন কোনো বিদেশী দেৱতা নাছিল। ১৩ পৃথিবীৰ পাৰ্বত্য
ঠাইৰ ওপৰত তেওঁ যাকোবক ৰাখিলে, খেতিত উৎপন্ন হোৱা শস্য
খাবলৈ দিলে; শিলনিৰ পৰা মধু আৰু শিলাময় দুৰাৰোহ পাহাৰৰ
পৰা তেল দি পৰিপুষ্ট কৰিলে। ১৪ গৰু গাখীৰৰ পৰা উৎপন্ন হোৱা
মাখন আৰু মেৰ-ছাগপালৰ পৰা গাখীৰ দিলে। চৰ্বিযুক্ত মেৰপোৱালিৰ
আৰু বাচান দেশীয় মতা মেৰ, মতা ছাগলী আৰু উত্তম ঘেঁহুধানৰ
আটা তেওঁক দিলে; হে ইস্ৰায়েল, তোমালোকে আঙুৰৰ পৰা তৈয়াৰী

বুৰবুৰণি উঠা উত্তম দ্ৰাক্ষাৰস পান কৰিলা। ১৫ যাকোবে হৃষ্ট-পুষ্ট
হৈ খালে; কিন্তু যিচুৰূণৰ চৰ্বি বাঢ়িল আৰু লাথ মাৰিলে; হে যিচুৰূণ,
তুমি মেদযুক্ত, স্থূলকায় আৰু মসৃণ হ'লা; তাৰ পাছত তেওঁ নিজৰ
সৃষ্টিকৰ্ত্তা ঈশ্বৰক ত্যাগ কৰিলে, আৰু নিজৰ পৰিত্ৰাণৰ শিলাক অগ্ৰাহ্য
কৰিলে। ১৬ তেওঁলোকে অন্য দেৱতালৈ কৰা সেৱা-পূজাই যিহোৱাক
ঈৰ্ষান্বিত কৰিলে; ঘিণ লগীয়া বিষয়বোৰে তেওঁক ক্ৰুদ্ধ কৰিলে। ১৭
ভূতবোৰৰ উদ্দেশ্যে তেওঁলোকে বলি উৎসৰ্গ কৰিলে, ঈশ্বৰলৈ নহয়;
যি দেৱতাবোৰক তেওঁলোকে কেতিয়াও নাজানিছিল, সেই নতুন
দেৱতাবোৰ সম্প্ৰতি আহি পৰিল, যি দেৱতাবোৰক তোমালোকৰ
পূৰ্ব-পুৰুষসকলেও ভয় নকৰিছিল, ১৮ যি ঈশ্বৰে তোমালোকক জন্ম
দিলে তোমালোকৰ পিতৃ হ'ল, তোমালোকে সেই শিলাক অগ্ৰাহ্য
কৰিলা, তোমালোকৰ জন্মদাতা ঈশ্বৰক তোমালোকে পাহৰিলা; ১৯
যিহোৱাই এই সকলো দেখি ঈৰ্ষান্বিত হ'ল; তেওঁ নিজৰ পুত্ৰ-কন্যাক
অগ্ৰাহ্য কৰিলে। ২০ তেওঁ ক'লে, "মই তেওঁলোকৰ পৰা মোৰ মুখ
লুকুৱাম। তেওঁলোকৰ শেষ দশা কি হ'ব, মই তাক চাম; কিয়নো
তেওঁলোক একেবাৰে বিপথে চলা বংশ, অবিশ্বাসী সন্তান। ২১ যি
ঈশ্বৰ নহয়, তাৰ সেৱা-পূজাৰ দ্বাৰাই তেওঁলোকে মোক ঈৰ্ষান্বিত
কৰিলে, তেওঁলোকৰ অসাৰ মূৰ্তিবোৰৰ দ্বাৰাই মোৰ ক্ৰোধ জন্মালে;
এই হেতুকে মই তেওঁলোকক এক জাতি নোহোৱা লোকসকলৰ দ্বাৰা
ঈৰ্ষা জন্মাম; এক নিৰ্বোধ জাতিৰ দ্বাৰাই মই তেওঁলোকক কুপিত
কৰিম। ২২ কিয়নো মোৰ ক্ৰোধত এক অগ্নি প্ৰজ্বলিত হৈছে, চিয়োলৰ
গভীৰতালৈকে পুৰিছে, ই পৃথিৱী আৰু তাৰ উৎপাদিত বস্তু গ্ৰাস
কৰিছে, পৰ্ব্বতৰ ভিত্তিমূলবোৰ জ্বলাইছে। **(Sheol h7585)** ২৩ মই
তেওঁলোকৰ ওপৰত দুৰ্যোগৰ স্তূপ গঢ়িম; তেওঁলোকৰ অহিতে মোৰ
কাঁড়বোৰ এৰিম: ২৪ দেহ শুকাই যোৱা দুৰ্ভিক্ষ, প্ৰচণ্ড বিনাশকাৰী,
কষ্টদায়ক মহামাৰী। তেওঁলোকৰ অহিতে মই মাটিত বগাই ফুৰা জীৱৰ
বিষপূৰ্ণ হিংস্ৰ পশুবোৰৰ দাঁত পঠাম। ২৫ বাটত তৰোৱালে মাৰিব,
ভিতৰ-কোঠালিত আতঙ্কত মৰিব। যুৱক আৰু কুমাৰীসকলক, পিয়াহ
খোৱা কেঁচুৱা আৰু পকামুৰীয়া বৃদ্ধক একেভাৱে বিনষ্ট কৰিব। ২৬ মই

ক’লো যে মই তেওঁলোকক সিচঁৰতি কৰিম, আৰু মনুষ্যৰ মনৰ পৰা তেওঁলোকৰ স্মৃতি মচি পেলাম। ২৭ কিন্তু মই তেওঁলোকৰ শত্ৰুবোৰৰ ক্ৰোধাগ্নিলৈ ভয় কৰিলোঁ, কিয়নো তেওঁলোকৰ শত্ৰুপক্ষই ভুল বুজি কব পাৰে যে, ‘আমাৰ হাতেৰেই বিজয়ী হ’লো; এই সকলো কৰাজন যিহোৱা নহয়।’ ২৮ তেওঁলোক এক বিবেকহীন জাতি; তেওঁলোকৰ বিচাৰ-বুদ্ধি বুলি একো নাই। ২৯ তেওঁলোক জ্ঞানী হোৱা হ’লে, এই কথা বুজিলেহেঁতেন; শেষ দশা কি হ’ব তেওঁলোকে বিবেচনা কৰিলেহেঁতেন। ৩০ এজনে কেনেকৈ এহেজাৰজনক ছত্ৰভঙ্গ কৰিব পাৰে, আৰু দুজনে দশ সহস্ৰজনক খেদাব পাৰে? যদিহে তেওঁলোকৰ শিলাই তেওঁলোকক শত্ৰুৰ হাতত বেচি নিদিয়ে, যদিহে যিহোৱাই তেওঁলোকক শত্ৰুৰ হাতত তুলি নিদিয়ে। ৩১ শত্ৰুৰ শিলা আমাৰ শিলাৰ নিচিনা নহয়; আমাৰ শত্ৰুবোৰেও এইদৰে স্বীকাৰ কৰে। ৩২ সিহঁতৰ দ্ৰাক্ষালতা চদোমৰ দ্ৰাক্ষাকুঞ্জৰ পৰা, আৰু ঘমোৰাৰ দ্ৰাক্ষাবাৰীৰ পৰা অহা; সিহঁতৰ আঙুৰবোৰ বিহযুক্ত আঙুৰ; সিহঁতৰ থোকবোৰ তিতা; ৩৩ সিহঁতৰ দ্ৰাক্ষাৰস সাপৰ বিষ, ফেঁটি সাপৰ ভয়ানক বিষ ৩৪ এই কথা মই জানো সাঁচি ৰখা নাই? মোৰ ভঁড়ালত জানো মোহৰ মাৰি থোৱা নাই? ৩৫ সিহঁতৰ ভৰি পিছল খোৱা সময়ত প্ৰতিকাৰ সধা আৰু প্ৰতিফল দিয়া মোৰহে কাৰ্য; কিয়নো সিহঁতৰ ক্লেশৰ কাল ওচৰ চাপিছে, আৰু সিহঁতলৈ ঘটিবলগীয়া সৰ্বনাশ শীঘ্ৰে ঘটিব। ৩৬ যিহোৱাই যেতিয়া দেখিব যে, তেওঁৰ লোকসকলৰ শক্তি নোহোৱা হৈছে, বন্দী কি স্বাধীন কাৰো শক্তি নোহোৱা হৈছে, তেতিয়া অৱশ্যেই যিহোৱাই তেওঁৰ লোকসকলৰ পক্ষ লব, তেওঁৰ দাসবোৰক কৃপা কৰিব। ৩৭ তেওঁ তেতিয়া ক’ব, “তেওঁলোকৰ দেৱতাবোৰ ক’ত আছে? ক’ত আছে তেওঁলোকৰ সেই শিল যিহত তেওঁলোকে আশ্ৰয় লৈছিল? ৩৮ তেওঁলোকৰ বলিবোৰৰ মেদযুক্ত আহাৰ কোনে ভোজন কৰিছিল, আৰু পেয় নৈবেদ্যৰ দ্ৰাক্ষাৰস কোনে পান কৰিছিল? এতিয়া সেইবোৰেই উঠি তোমালোকক সহায় কৰক; সেইবোৰেই তোমালোকৰ আশ্ৰয় হওঁক! ৩৯ এতিয়া তোমালোকে ভাবি চোৱা, মইময়েই, ময়েই তেওঁ; মোৰ বাহিৰে আন কোনো

দেৱতা নাই; মইয়ে মাৰোঁ, আৰু ময়েই জীয়াও; মইয়ে ঘা লগাওঁ আৰু
ময়েই সুস্থ কৰোঁ; মোৰ হাতৰ পৰা উদ্ধাৰ কৰোঁতা কোনো নাই। ৪০
কিয়নো মই আকাশলৈ হাত দাঙি শপত খাই ক’লো, মোৰ চিৰস্থায়ী
জীৱনৰ শপত, ৪১ যেতিয়া মোৰ জিলিকি থকা তৰোৱালত ধাৰ দিওঁ,
ন্যায় বিচাৰ কৰিবলৈ মোৰ হাতেৰে তাক ধৰোঁ, তেতিয়া মই মোৰ
শত্রুবোৰৰ প্রতিকাৰ সাধিম, আৰু মোক ঘিণাওঁতা সকলক প্রতিফল
দিম। ৪২ হত হোৱা লোক আৰু বন্দীসকলৰ তেজেৰে সৈতে মোৰ
কাঁড়বোৰক মই তেজ পান কৰাই মতলীয়া কৰিম, মোৰ তৰোৱালে
মঙহ খাব, দীঘলচুলি থকা শত্রুৰ মূৰৰ মঙহ খাব। ৪৩ হে আকাশ
মণ্ডল, আনন্দিত হোৱা, হে সকলো জাতিৰ লোকসকল, তোমালোকে
যিহোৱাৰ লোকসকলৰ সৈতে প্রশংসা কৰা, তেওঁৰ আৰাধনা কৰা
কিয়নো তেওঁ নিজ সন্তানবোৰৰ ৰক্তপাতৰ প্রতিকাৰ সাধিব, তেওঁৰ
শত্রুবোৰক প্রতিফল দিব; তেওঁক ঘিণাওঁতা সকলক প্রতিফল দি
নিজৰ লোকসকলৰ অৰ্থে ভূমি শুচি কৰিব।” ৪৪ এইদৰে মোচি
আৰু নুনৰ পুত্ৰ যিহোচূৱাই গৈ এই গীতৰ সকলো কথা লোকসকলক
শুনালে। ৪৫ ইস্রায়েলীয়া লোকসকলৰ আগত মোচিয়ে যেতিয়া এই
গীতবোৰ গাই শেষ কৰিলে, ৪৬ তেতিয়া তেওঁ তেওঁলোকক ক’লে,
“যি সকলো কথা আপোনালোকৰ বিৰুদ্ধে সাক্ষ্যস্বৰূপে আজি মই
আপোনালোকক ক’লো, তাক আপোনালোকে মনত গাঠি ৰাখক
যাতে এই নিয়মৰ সকলো কথা যত্নেৰে সৈতে পালন কৰিবৰ কাৰণে
আপোনালোকৰ সন্তান সকলক আজ্ঞা দিব পাৰে। ৪৭ কিয়নো
আপোনালোকৰ কাৰণে ই সাধাৰণ কথা নহয়; বৰঞ্চ জীৱনৰহে কথা;
কাৰণ ইয়াতেই আপোনালোকৰ জীৱন আছে, আৰু আপোনালোকে যি
দেশ অধিকাৰ কৰিবলৈ যৰ্দ্দন পাৰ হৈ যাব, সেই দেশত ইয়াৰ দ্বাৰাই
আপোনালোক দীৰ্ঘায়ু হ’ব পাৰে।” ৪৮ সেইদিনাখনেই যিহোৱাই
মোচিক ক’লে, ৪৯ “তুমি যিৰীহোৰ বিপৰীতে মোৱাব দেশত থকা
সেই অবাৰীম পৰ্ব্বতমালাৰ নবো পাহাৰৰ ওপৰলৈ উঠি যোৱা আৰু
ইস্রায়েলীয়াসকলক অধিকাৰৰ অৰ্থে মই যি দেশ দিবলৈ গৈ আছোঁ,
সেই কনান দেশ চোৱাগৈ। ৫০ যেনেকৈ তোমাৰ ককায়েৰা হাৰোণৰ

মৃত্যু হোৰ পাহাৰত হৈছিল আৰু তেওঁ নিজৰ পূৰ্বপুৰুষসকলৰ ওচৰলৈ
গৈছিল, তেনেকৈ তোমাৰ মৃত্যু সেই পাহাৰৰ ওপৰতে হ'ব আৰু
তুমিও পূৰ্বপুৰুষসকলৰ ওচৰলৈ গুচি যাবা। ৫১ কিয়নো ছিন মৰুভূমিত
কাদেচৰ মিৰীবা পানীৰ ওচৰত ইস্রায়েলীয়া সন্তান সকলৰ মাজত
মোৰ পবিত্ৰতা মানি নচলি তোমালোকে ইস্রায়েলীয়া সন্তান সকলৰ
আগত মোৰ প্ৰতি অবিশ্বাসৰ কাৰ্য কৰিছিলা। ৫২ তথাপিও, মই
ইস্রায়েলীয়া সন্তান সকলক যি দেশ দিবলৈ গৈ আছোঁ, তুমি সেই
দেশত নোসোমাবা, কিন্তু কেৱল দূৰৰ পৰা তাক চাবলৈ পাবা।"

৩৩ তাৰ পাছত ঈশ্বৰৰ লোক মোচিয়ে তেওঁৰ মৃত্যুৰ আগেয়ে
ইস্রায়েলীয়া সন্তান সকলক আশীৰ্ব্বাদ কৰিলে। ২ তেওঁ ক'লে, যিহোৱা
চীনয় পৰ্ব্বতৰ পৰা আহিল, তেওঁ চেয়ীৰৰ পৰা তেওঁলোকৰ ওপৰত
উদয় হ'ল; তেওঁৰ জ্যোতি পাৰণ পৰ্ব্বতৰ পৰা জিলিকি উঠিল তেওঁ
অযুত অযুত পবিত্ৰসকলৰ মাজৰ পৰা আহিল। তেওঁৰ সোঁ হাতত
আছিল তেওঁলোকৰ কাৰণে বিজুলীৰ চমক ভৰা ব্যৱস্থা। ৩ সঁচাই তেওঁ
নিজৰ লোকসকলক প্ৰেম কৰে; তেওঁৰ সকলো পবিত্ৰ লোক তেওঁৰ
হাতত আছিল; তেওঁলোক সকলো তেওঁৰ ভৰিত নত হ'ল; প্ৰতিজনে
তেওঁৰ বাক্য গ্ৰহণ কৰিলে। ৪ মই, মোচিয়ে আপোনালোকক এক
ব্যৱস্থাৰ আজ্ঞা দিলোঁ, এই ব্যৱস্থা যাকোবৰ বংশধৰসকলৰ বাবে এক
উত্তৰাধিকাৰ। ৫ যেতিয়া ইস্রায়েলৰ মুখ্য লোকসকল গোট খালে, আৰু
ইস্রায়েলৰ সকলো ফৈদ একত্ৰিত হ'ল, তেতিয়া যিহোৱাই আছিল
যিচুৰূণৰ ৰজা। ৬ ৰূবেণ জীয়াই থাকক, নমৰক; কিন্তু তেওঁৰ গোষ্ঠীৰ
লোক লেখত অলপ হওক। ৭ যিহূদাক দিয়া আশীৰ্ব্বাদ এই: মোচিয়ে
ক'লে, "হে যিহোৱা, তুমি যিহূদাৰ মাত শুনা, তেওঁৰ লোকসকলৰ
মাজলৈ তেওঁক পুনৰ ঘূৰাই আনা, তোমাৰ হাতেৰে তেওঁৰ বাবে
যুদ্ধ কৰা; তেওঁৰ শত্ৰুবোৰৰ বিৰুদ্ধে এক সহায় হোৱা।" ৮ লেবীৰ
বিষয়ে মোচিয়ে ক'লে, "লেবী, তোমাৰ ভক্তৰ লগত তোমাৰ তুম্মীম
আৰু উৰীম আছে; মচ্ছাত তুমি যাৰ পৰীক্ষা কৰিছিলা, মিৰীবাৰ
পানীৰ ওচৰত যাৰ সৈতে বিবাদ কৰিছিলা, ৯ যিজনে নিজ পিতৃ
আৰু মাতৃৰ বিষয়ে ক'লে, 'মই তেওঁলোকক দেখা নাই।' নিজৰ ভাই-

ককাইক স্বীকাৰ নকৰিলে, এনেকি নিজৰ সন্তানবোৰকে নিচিনিলে;
তেওঁ তোমাৰ বাক্যক পহৰা দিছে আৰু তোমাৰ ব্যৱস্থা ৰক্ষা কৰিছে।
১০ লেবীসকলে তোমাৰ আজ্ঞাবোৰ যাকোবক শিকায়, ব্যৱস্থাবোৰ
ইস্রায়েলক শিকায়; তোমাৰ আগত ধূপ জ্বলায়, যজ্ঞ-বেদিৰ ওপৰত
হোমবলি উৎসৰ্গ কৰে। ১১ হে যিহোৱা, তুমি তেওঁৰ তাৰ সম্পত্তিত
আশীৰ্ব্বাদ কৰা, তেওঁৰ সকলো হাতৰ কাৰ্য গ্ৰহণ কৰা; তেওঁৰ বিৰুদ্ধে
উঠা শত্ৰুবোৰৰ কঁকাল ভাঙি দিয়া; । তেওঁক ঘিণাওঁতাসকলৰ কঁকাল
ভাঙি দিয়া, যাতে পুনৰ উঠিব নোৱাৰে।” ১২ বিন্যামীনৰ বিষয়ে
মোচিয়ে ক’লে, “যিহোৱাই যাক প্ৰেম কৰে, বিন্যামীন তেওঁৰ ওচৰত
নিৰ্ভয়ে থাকে; যিহোৱাই ওৰে দিনটো তেওঁক আৱৰি ৰাখে, আৰু
তেওঁ যিহোৱাৰ দুই বাহুৰ মাজত বাস কৰে।” ১৩ যোচেফৰ বিষয়ে
মোচিয়ে ক’লে, “আকাশৰ উত্তম দান আৰু নিয়ৰেৰে সৈতে, তলত
ব্যাপি থকা সাগৰেৰে, যিহোৱাই যোচেফৰ দেশক আশীৰ্ব্বাদ কৰক।
১৪ সূৰ্যৰ তাপৰ উৎকৃষ্ট ফলেৰে, মাহবোৰৰ উত্তম শস্যৰে, ১৫
পুৰণি পৰ্ব্বতবোৰৰ অতি উত্তম সম্পদেৰে, চিৰকালৰ পাহাৰবোৰৰ
বহুমূলীয়া বস্তুৰে, ১৬ পৃথিবীৰ উত্তম উত্তম দ্ৰব্যৰ প্ৰচুৰতাৰে, আৰু
জ্বলন্ত জোপোহাৰ মাজত যি জনা আছিল, তেওঁৰ আনুগ্ৰহেৰে সৈতে -
যোচেফৰ মূৰত, যিজন ভাই-ককাইসকলৰ মাজত ৰাজপুত্ৰ আছিল,
তেওঁৰ কপালত এই সকলো আশীৰ্বাদ পৰক। ১৭ যোচেফৰ মহিমা
প্ৰথমে ওপজা এটা ষাঁড়, তেওঁৰ শিং দুটা বনৰীয়া ষাঁড়ৰ শিঙৰ দৰে;
তাৰ দ্বাৰাই তেওঁ সকলো জাতিকে বিদ্ধ কৰিব, এনেকি পৃথিবীৰ
অন্তলৈকে জাতিবোৰক ঠেলি নিব; এইদৰেই ইফ্ৰয়িমৰ অযুত অযুত
আৰু মনচিৰ হাজাৰ হাজাৰ লোক হ’ব। ১৮ জবূলূনৰ বিষয়ে মোচিয়ে
ক’লে, হে জবুলুন, তুমি বাহিৰলৈ যোৱা কালত আনন্দিত হোৱা, আৰু
হে ইচাখৰ, তুমি নিজ তম্বুত আনন্দ কৰা। ১৯ লোকসকলক তেওঁলোকে
পৰ্ব্বতলৈ মাতি পঠাব; সেই ঠাইত তেওঁলোকে যোগ্য মনোভাৱেৰে
বলি উৎসৰ্গ কৰিব; তেওঁলোকে সমুদ্ৰৰ প্ৰচুৰ সমৃদ্ধি আৰু বালিৰ পৰা
গুপুত ধন চুহিব।” ২০ গাদৰ বিষয়ে মোচিয়ে ক’লে, “যিজনাই গাদৰ
ৰাজ্যৰ সীমা বঢ়াব, সেই জনা ধন্য; গাদে সিংহৰ দৰে বাস কৰে, তেওঁ

বাহু, এনেকি মূৰৰ তালুকো বিদাৰে। ২১ তেওঁ নিজৰ কাৰণে উৎকৃষ্ট
ভাগ মনোনীত কৰিলে, কিয়নো সেই ঠাইত নেতাৰ যোগ্য লোকৰ
কাৰণে ভাগ ৰাখি থোৱা আছে; তেওঁ লোক সকলৰ মুখ্যৰ লগত
আহিল। তেওঁ যিহোৱাৰ ন্যায় কাৰ্য সিদ্ধ কৰিলে, আৰু ইস্ৰায়েলৰ সৈতে
যিহোৱাৰ নিয়ম পালন কৰিলে। ২২ দানৰ বিষয়ে মোচিয়ে ক'লে, "দান
বাচানৰ পৰা জাপ মাৰি অহা যুৱা সিংহ।" ২৩ নপ্তালীৰ বিষয়ে মোচিয়ে
কলে, "হে নপ্তালী, তুমি যিহোৱাৰ অনুগ্ৰহেৰে তৃপ্ত, আৰু যিহোৱাৰ
আশীৰ্ব্বাদেৰে পৰিপূৰ্ণ; পশ্চিম আৰু দক্ষিণ অঞ্চল অধিকাৰ কৰা।"
২৪ আচেৰৰ বিষয়ে মোচিয়ে কলে, "আন সন্তান সকলতকৈ আচেৰে
অধিক আশীৰ্ব্বাদ পাওক; তেওঁ যেন নিজৰ ভাই-ককাইসকলৰ প্ৰিয়
হয়, তেওঁৰ ভৰি দুখন যেন জলফাইৰ তেলত ডুবি থাকে। ২৫ তোমাৰ
নগৰৰ ডাংবোৰ লোহা বা পিতলৰ হ'ব; যিমানদিন তোমাৰ আয়ুস
থাকিব, সিমানদিন তোমাৰ শক্তি থাকিব।" ২৬ মোচিয়ে ক'লে, "হে
যিচুৰূণ, ঈশ্বৰৰ তুল্য কোনো নাই; তোমালোকৰ সহায়ৰ কাৰণে
তেওঁ নিজ গৌৰৱেৰে মেঘৰথত উঠি আকাশ পথত অহা যোৱা কৰে।
২৭ যিজন অনাদিকালৰ ঈশ্বৰ তেৱেঁই নিজৰ লোকসকলৰ আশ্ৰয়,
অধোদেশত তেওঁ চিৰস্থায়ী বাহুৰে ধৰি ৰাখে; তেওঁ তোমালোকৰ
সন্মুখৰ পৰা শত্ৰুবোৰক দূৰ কৰিব, তেওঁ ক'ব, 'এওঁলোকক ধ্বংস
কৰা!' ২৮ ইস্ৰায়েল জাতিয়ে নিৰ্ভয়েৰে বাস কৰিব; যাকোবৰ ভুমুক
শস্য আৰু নতুন দ্ৰাক্ষাৰসৰ দেশত নিৰাপদ হ'ব; তেওঁৰ ওপৰত
আকাশৰ নিয়ৰ টোপা টোপে পৰক। ২৯ হে ইস্ৰায়েল, তুমি ধন্য;
যিহোৱাৰ দ্বাৰাই নিস্তাৰ পোৱা জাতি যি তোমালোক, তোমালোকৰ
সদৃশ কোন আছে? তেওঁ তোমালোকৰ সাহাৰ্যকাৰী ঢাল, তোমালোকৰ
গৌৰৱৰ তৰোৱাল; শত্ৰুবোৰ তোমালোকৰ ওচৰলৈ কম্পমান হৈ
আহিব; তোমালোকে ওখ ঠাইবোৰত ভৰি দিবা।"

**৩৪** পাছত মোচিয়ে মোৱাবৰ সমথলৰ পৰা যিৰীহোৰ বিপৰীতে
থকা নবো পৰ্ব্বতলৈ পিচগাৰ চূড়ালৈ উঠি গ'ল। তাৰ পৰা যিহোৱাই
তেওঁক গোটেই দেশ দেখুৱালে। তেওঁ তেওঁক গিলিয়দৰ পৰা দান
পৰ্যন্ত গোটেই দেশ, ২ গোটেই নপ্তালী, ইফ্ৰয়িম আৰু মনচিৰ দেশ,

আৰু পশ্চিম ফালে সমুদ্রলৈকে যিহূদাৰ সমস্ত দেশ দেখুৱালে। ৩ তাৰ
উপৰি তেওঁ তেওঁক নেগেভ আৰু খেজুৰৰ নগৰ যিৰীহোৰ উপত্যকাৰ
সমথল ভূমি অৰ্থাৎ চোৰৰলৈকে দেখুৱালে। ৪ তাৰ পাছত যিহোৱাই
তেওঁক ক'লে, "এইখনেই সেই দেশ যাৰ বিষয়ে মই অব্ৰাহাম, ইচহাক
আৰু যাকোবৰ ওচৰত শপত খাই কৈছিলোঁ, 'এই দেশ মই তোমাৰ
বংশক দিম।' দেশখন নিজৰ চকুৰে চাবলৈ মই তোমাক সুযোগ
দিলোঁ, কিন্তু নদী পাৰ হৈ তুমি সেই ঠাইলৈ যাব নোৱাৰিবা।" ৫
সেয়ে, যিহোৱাই কোৱা বাক্য অনুসাৰে যিহোৱাৰ দাস মোচিৰ সেই
মোৱাব দেশত মৃত্যু হ'ল। ৬ মোৱাব দেশত বৈৎ-পিয়োৰৰ সন্মুখত যি
উপত্যকা আছিল, যিহোৱাই তেওঁক সেই ঠাইত মৈদাম দিলে; কিন্তু
তেওঁৰ মৈদামৰ ঠাই ক'ত আছে, আজিলৈকে কোনেও নাজানে। ৭
মৃত্যুৰ সময়ত মোচিৰ বয়স আছিল এশ বিশ বছৰ; তেতিয়াও তেওঁৰ
চকু দুৰ্ব্বল হোৱা নাছিল, আৰু গাৰ শক্তিও কমি যোৱা নাছিল। ৮
ইস্ৰায়েলৰ সন্তান সকলে মোৱাব সমথলত ত্ৰিশ দিন পৰ্যন্ত মোচিৰ
কাৰণে ক্ৰন্দন কৰিলে; তাৰ পাছত মোচিৰ কাৰণে তেওঁলোকৰ শোক
প্ৰকাশৰ দিন শেষ হ'ল। ৯ নুনৰ পুত্ৰ যিহোচূৱাৰ ওপৰত মোচিয়ে
হাত ৰাখিছিল বাবে তেওঁ জ্ঞানদায়ক আত্মাৰে পৰিপূৰ্ণ আছিল; সেয়ে,
ইস্ৰায়েলৰ সন্তান সকলে তেওঁৰ কথা অনুসাৰে চলিব ধৰিলে আৰু
যিহোৱাই মোচিৰ যোগেদি যি আজ্ঞা দিছিল, সেই অনুসাৰে কাৰ্য
কৰিবলৈ ধৰিলে। ১০ আজি পৰ্যন্ত ইস্ৰায়েলীয়াসকলৰ মাজত মোচিৰ
দৰে কোনো ভাববাদীৰ উত্থান হোৱা নাই, যিজনৰ লগত যিহোৱাই
মুখামুখিকৈ কথা পাতিছিল। ১১ যিহোৱাই মোচিক মিচৰ দেশত
ফৰৌণ, তেওঁৰ সকলো দাস আৰু সমগ্ৰ দেশৰ ওপৰত যি সকলো
চিহ্ন আৰু অদ্ভুত লক্ষণ দেখুৱাবলৈ পঠাইছিল, সেই ধৰণৰ কাৰ্য কৰা
আন কোনো ভাৱবাদী নাই। ১২ গোটেই ইস্ৰায়েলীয়াসকলৰ চকুৰ
সন্মুখত মোচিয়ে যি মহাশক্তি দেখুৱাইছিল বা যি সকলো ভয়ঙ্কৰ কাৰ্য
কৰিছিল, সেইদৰে আন কোনো ভাৱবাদীয়ে কৰা নাই।

# যোশুয়া

**১** যিহোৱাৰ দাস মোচিৰ মৃত্যুৰ পাছত, যিহোৱাই মোচিৰ পৰিচাৰক
নুনৰ পুত্ৰ যিহোচূৱাক ক'লে, ২ "মোৰ দাস মোচিৰ মৃত্যু হ'ল;
এতেকে তুমি এতিয়া উঠা আৰু এই লোকসকলৰ সৈতে, মই যি দেশ
ইস্ৰায়েলৰ সন্তানসকলক দিছোঁ, সেই দেশলৈ যৰ্দ্দন নদী পাৰ হৈ
যোৱা। ৩ যি যি ঠাইত তোমালোকে ভৰি দিবা, মই মোচিক কোৱাৰ
দৰে সেইবোৰ ঠাই তোমালোকক দিলোঁ। ৪ সেই মৰুপ্ৰান্তৰ পৰা
লিবানোন হৈ মহানদী ফৰাৎ নদীলৈকে, সূৰ্য অস্ত যোৱা ফালৰ পৰা
মহা-সমুদ্ৰলৈকে হিত্তীয়াসকলৰ গোটেই দেশ তোমালোকৰ অঞ্চল
হ'ব। ৫ তোমাৰ জীৱনৰ গোটেই কালত কোনো লোক তোমাৰ আগত
থিয় হ'ব নোৱাৰিব; মই মোচিৰ লগত থকাৰ দৰে তোমাক ত্যাগ
নকৰিম বা এৰি নাযাওঁ। ৬ তুমি বলৱান আৰু সাহিয়াল হোৱা; কিয়নো
এই লোকসকলক যি দেশ দিবলৈ মই তেওঁলোকৰ পূৰ্বপুৰুষসকলৰ
আগত শপত খাইছিলোঁ, তাক তুমিহে এই লোকসকলক অধিকাৰ
প্ৰাপ্ত কৰাবা। ৭ মোৰ দাস মোচিয়ে তোমাক আজ্ঞা কৰা গোটেই
ব্যৱস্থা সাৱধানে পালন কৰি সেই মতে কাৰ্য কৰিবলৈ, মথোন তুমি
বলৱান আৰু অতিশয় সাহসিয়াল হোৱা; তুমি যি যি ঠাইলৈ যোৱা,
সেই সকলো ঠাইতে কৃতকাৰ্য্য হ'বৰ কাৰণে তুমি সেই ব্যৱস্থাৰ পৰা
সোঁ কি বাওঁহাতে নুঘূৰিবা। ৮ এই বিধান-পুস্তক খনৰ কথা তোমাৰ
মুখৰ পৰা কেতিয়াও আঁতৰি নাযাওঁক; কিন্তু ইয়াতে থকা আটাইখিনি
কথাকে পালন কৰি সেই মতে কাৰ্য কৰিবলৈ তুমি দিনে-ৰাতিয়ে ইয়াক
ধ্যান কৰা; কিয়নো ইয়াকে কৰিলে তোমাৰ শুভগতি হ'ব আৰু তুমি
কৃতকাৰ্য্য হ'বা। ৯ মই তোমাক আজ্ঞা দিয়া নাই নে? বলৱান আৰু
সাহিয়াল হোৱা! ত্ৰাসিত বা ব্যাকুল নহ'বা; কিয়নো তুমি যি যি ঠাইলৈ
যাবা, সেই সকলো ঠাইতে তোমাৰ ঈশ্বৰ যিহোৱা তোমাৰ লগত
থাকিব।" ১০ তেতিয়া যিহোচূৱাই লোকসকলৰ বিষয়াসকলক আজ্ঞা দি
ক'লে, ১১ "তোমালোকে চাউনিৰ মাজেদি গৈ লোকসকলক এই আজ্ঞা
কৰা, 'তোমালোক প্ৰত্যেকে নিজৰ কাৰণে বাটৰ সম্বল যুগুত কৰা;
কিয়নো তোমালোকৰ ঈশ্বৰ যিহোৱাই অধিকাৰৰ অৰ্থে তোমালোকক

যি দেশ দিছে, সেই দেশত সোমাই তাক অধিকাৰ কৰিবৰ বাবে তিনি
দিনৰ ভিতৰত তোমালোকে সেই যৰ্দ্দন নদী পাৰ হৈ যাব লাগিব'।"
১২ তাৰ পাছত যিহোচূৱাই ৰূবেণীয়া আৰু গাদীয়াসকলক আৰু মনচিৰ
ফৈদৰ আধাভাগ লোকক ক'লে, ১৩ "যিহোৱাৰ দাস মোচিয়ে দিয়া
আজ্ঞাত কোৱা বাক্য তোমালোকে সোঁৱৰা যে, 'তোমালোকৰ ঈশ্বৰ
যিহোৱাই তোমালোকক জিৰণি ল'বলৈ তোমালোকক এই দেশ
দিছে।' ১৪ মোচিয়ে তোমালোকক দিয়া দেশত তোমালোকৰ ল'ৰা,
তিৰোতা আৰু তোমালোকৰ পশুবোৰ যৰ্দ্দনৰ পূব পাৰে থাকিব৷ কিন্তু
তোমালোকৰ আটাই পৰাক্ৰমী বীৰপুৰুষসকলে সাজু হৈ তেওঁলোকৰ
আগে আগে গৈ, ১৫ যিহোৱাই তোমালোকক দিয়াৰ দৰে তোমালোকৰ
ভাইসকলক জিৰণি নিদিয়া পৰ্য্যন্ত, তোমালোকৰ ভাইসকলক সাহাৰ্য
আগবঢ়াব লাগিব; আৰু তোমালোকৰ ঈশ্বৰ যিহোৱাই তেওঁলোকক
দিয়া দেশ, তেওঁলোকেও অধিকাৰ কৰিব৷ তেতিয়া যৰ্দ্দন নদীৰ পূব
পাৰে সূৰ্যোদয় হোৱা যি দেশ যিহোৱাৰ দাস মোচিয়ে তোমালোকক
দিলে, তোমালোকৰ আধিপত্যৰ দেশলৈ উভটি আহি তাক ভোগ
কৰিবা৷" ১৬ তেতিয়া তেওঁলোকে যিহোচূৱাক উত্তৰ দি ক'লে, "আপুনি
আমাক যি যি আজ্ঞা দিছে, আমি সেই আজ্ঞা পালন কৰিম আৰু
আপুনি আমাক য'লৈকে পঠিয়ায়, তা'লৈকে আমি যাম৷ ১৭ আমি
সকলো বিষয়তে যেনেকৈ মোচিৰ আদেশ মানি চলিছিলোঁ, তেনেকৈ
আপোনাৰো আদেশ মানি চলিম৷ কেৱল, মোচিৰ লগত থকাৰ দৰে,
আপোনাৰ লগতো আপোনাৰ ঈশ্বৰ যিহোৱা থাকক৷ ১৮ যদি কোনোৱে
আপোনাৰ আজ্ঞাৰ বিৰুদ্ধাচৰণ কৰে আৰু আপুনি দিয়া আজ্ঞাৰ কোনো
কথা নুশুনে, তেনেহলে সেই জনৰ প্ৰাণদণ্ড হ'ব৷ কেৱল আপুনি বলৱান
আৰু সাহিয়াল হওঁক।"

২ তাৰ পাছত নুনৰ পুত্ৰ যিহোচূৱাই চিটীমৰ পৰা দুজন লোকক
গোপনে চোৰাংচোৱা হিচাবে পঠিয়াই দিলে৷ তেওঁ ক'লে, "তোমালোক
যোৱা, আৰু গোটেই দেশখন ভালদৰে চাবা; বিশেষকৈ যিৰীহো নগৰ
নিৰীক্ষণ কৰি আহিবা।" তেতিয়া তেওঁলোক গ'ল আৰু গৈ এগৰাকী
বেশ্যাৰ ঘৰ পালে৷ তাতে তেওঁলোকে আলহী হৈ থাকিল৷ সেই বেশ্যাৰ

নাম ৰাহাব আছিল৷ ২ কিন্তু কোনো লোকে গৈ যিৰীহোৰ ৰজাক ক'লে,
“চাওঁক, দেশৰ বুজ-বিচাৰ ল'বৰ অৰ্থে ইস্রায়েলৰ সন্তান সকলৰ
কেইজনমান লোক এই ঠাইলৈ আহিছে।” ৩ তেতিয়া যিৰীহোৰ ৰজাই
ৰাহাবলৈ এই কথা কৈ পঠিয়ালে বোলে, “তোৰ ওচৰলৈ অহা যি
মানুহকেইজন এতিয়া তোৰ ঘৰত আহি আছে, সিহঁতক বাহিৰলৈ
উলিয়াই দে; কিয়নো সিহঁতে গোটেই দেশত চোৰাংচোৱাগিৰি কৰিবলৈ
আহিছে৷” ৪ কিন্তু মহিলা গৰাকীয়ে সেই মানুহ দুজনক লুকুৱাই থৈ
ক'লে, “হয়, সঁচাকৈ সেই মানুহকেইজন মোৰ ওচৰলৈ আহিছিল, কিন্তু
সিহঁত ক'ৰ পৰা আহিছিল, সেই বিষয়ে মই নাজানিলোঁ৷ ৫ সন্ধিয়া
হওতেই সিহঁত ওলাই গ'ল, তেতিয়া নগৰৰ দুৱাৰ প্ৰায় বন্ধ কৰা সময়
হৈছিল৷ সিহঁত ক'লৈ গ'ল, সেই বিষয়ে মই ক'ব নোৱাৰোঁ; সম্ভৱতঃ
তোমালোকে পাছে পাছে বেগাই খেদি গ'লে সিহঁতক ধৰিব পাৰিবা।”
৬ কিন্তু তাই তেওঁলোকক ঘৰৰ চালৰ ওপৰলৈ নিলে আৰু চালৰ
ওপৰত ৰীতিমতে মেলি দিয়া শণঠাৰিবোৰেৰে তেওঁলোকক লুকুৱাই
হ'ল। ৭ তাৰ পাছত মানুহবোৰে যৰ্দ্দন নদীৰ পাৰ-ঘাটলৈ যোৱা বাটেদি
তেওঁলোকৰ পাছে পাছে খেদি গ'ল আৰু খেদি যোৱা লোক বাহিৰ
হোৱা মাত্ৰকে নগৰৰ দুৱাৰ বন্ধ কৰা হ'ল। ৮ পাছত তেওঁলোক নৌ
শোওঁতেই তাই চালৰ ওপৰত থৈ অহা সেই লোকসকলৰ ওচৰলৈ
গ'ল, ৯ আৰু তাই সেই মানুহ কেইজনক ক'লে, “মই জানিলোঁ যে,
যিহোৱাই তোমালোকক এই দেশ দিলে আৰু তোমালোকৰ পৰা আমি
ত্ৰাসিত হৈছোঁ৷ আটাই দেশনিবাসীয়ে তোমালোকৰ আগত ভয়ত
আতুৰ হৈ পৰিছে৷ ১০ আমি শুনিবলৈ পাইছোঁ যে, তোমালোকে মিচৰৰ
পৰা ওলাই অহা সময়ত যিহোৱাই তোমালোকৰ সাক্ষাতে চূফ সাগৰৰ
পানী শুকুৱাইছিল আৰু আমি ইয়াকো শুনিলো যে, তোমালোকে
যৰ্দ্দনৰ সিটো পাৰত থকা ইমোৰীয়াসকলৰ চীহোন আৰু ওগ নামৰ
ৰজা দুজনক কেনে ব্যৱহাৰ কৰি নিঃশেষে বিনষ্ট কৰিছিলা। ১১ এই
সকলোবোৰ বৃত্তান্ত শুনা মাত্ৰকে আমাৰ হৃদয়বোৰো ভয়ত আতংকিত
হৈ আছে; এতিয়া তোমালোকৰ বিৰুদ্ধে যাবলৈ আমাৰ মাজত কোনো
এজনৰো সাহস নাই৷ তোমালোকৰ ঈশ্বৰ যিহোৱা, তেৱেঁই ওপৰত

থকা স্বৰ্গ আৰু তলত থকা পৃথিৱীৰ ঈশ্বৰ৷ ১২ এই হেতুকে মই
এতিয়া বিনয় কৰোঁ যে, মই তোমালোকলৈ দয়া ব্যৱহাৰ কৰাৰ
কাৰণে তোমালোকেও মোৰ পিতৃ বংশলৈ দয়া ব্যৱহাৰ কৰিবলৈ,
১৩ আৰু তোমালোকে মোৰ পিতৃ, মাতৃ, ভাই আৰু ভনীসকলক আৰু
তেওঁলোকৰ সকলোকে জীয়াই ৰাখিবলৈ আৰু মৃত্যুৰ পৰা আমাৰ প্ৰাণ
উদ্ধাৰ কৰিবলৈ, যিহোৱাৰ নামেৰে মোৰ আগত শপত খাই মোক
সত্যতা প্ৰমাণৰ চিন দিয়া।” ১৪ তেতিয়া সেই মানুহ কেইজনে তাইক
ক’লে, “যদি তোমালোকে আমাৰ এই কাৰ্যৰ কথা প্ৰকাশ নকৰা,
তেন্তে তোমালোকৰ প্ৰাণৰ সলনি আমাৰ প্ৰাণ যাব; আৰু যেতিয়া
যিহোৱাই আমাক এই দেশ দিব, তেতিয়া আমি তোমালৈ দয়া আৰু
সত্য ব্যৱহাৰ কৰিম।” ১৫ তাৰ পাছত তাই খিড়িকিয়েদি তেওঁলোকক
ৰচীৰে নমাই দিলে; কিয়নো তাইৰ ঘৰ নগৰৰ গড়ৰ গাতে লাগি
আছিল আৰু তাই গড়ৰ ওপৰত বাস কৰিছিল। ১৬ তাৰ পাছত তাই
তেওঁলোকক ক’লে, “খেদি যোৱা লোকে যেন তোমালোকক লগ
নাপায়, এই কাৰণে পৰ্বতলৈ যোৱা আৰু খেদি যোৱা মানুহ উলটি
নহালৈকে, সেই ঠাইতে তিনি দিন লুকাই থাকিবা৷ তাৰ পাছত নিজ
বাটেদি গুচি যাবা।” ১৭ তাতে মানুহ কেইজনে তাইক ক’লে, “আমি
কোৱাৰ দৰে তুমি নকৰিলে, তুমি আমাক কৰিব দিয়া শপতৰ বিষয়ত
আমি নিৰ্দ্দোষী হ’ম৷ ১৮ চোৱা, তুমি এই যি খিড়িকিয়েদি আমাক
নমাই দিলা, আমি যেতিয়া এই দেশৰ ভিতৰলৈ আহিম, তেতিয়া এই
খিড়িকীত সেন্দুৰ বৰণীয়া সূতাৰে বটা এই ৰছীডাল বান্ধি ৰাখিবা
আৰু তোমাৰ পিতৃ, মাতৃ, ভাইসকল আৰু তোমাৰ পিতৃবংশৰ সকলো
লোককে তোমাৰ নিজ ঘৰত একত্ৰিত কৰি লুকুৱাই ৰাখিবা। ১৯
তেতিয়া যি কোনোৱে তোমাৰ ঘৰৰ দুৱাৰৰ পৰা বাটলৈ ওলাব, তাৰ
ৰক্তপাতৰ দোষ তাৰ মূৰৰ ওপৰতে পৰিব আৰু আমি নিৰ্দ্দোষী হ’ম;
কিন্তু যি কোনোৱে তোমাৰ লগত ঘৰত থাকিব, তাৰ ওপৰত যদি
কোনোৱে হাত দিয়ে, তেন্তে সেই ৰক্তপাতৰ দোষ আমাৰ মূৰৰ ওপৰত
পৰিব। ২০ কিন্তু তুমি যদি আমাৰ এই কাৰ্যৰ কথা প্ৰকাশ কৰা,
তেন্তে আমাক খুউৱা শপতৰ বিষয়ে আমি নিৰ্দ্দোষী হ’ম।” ২১ ৰাহাবে

সমিধান দি ক’লে, “তোমালোকে যেনেকৈ কৈছা, তেনেকৈ হওঁক৷”
তাই এই কথা কৈ তেওঁলোকক বিদায় দিয়াৰ পাছত তেওঁলোক গুচি
গ’ল আৰু তাই সেই সেন্দুৰ বৰণীয়া ৰছীডাল খিড়িকি খনতে বান্ধি থৈ
দিলে। ২২ তাৰ পাছত তেওঁলোকে গৈ পৰ্বত পালে আৰু খেদি যোৱা
মানুহবোৰ উলটি নহালৈকে তাতে তেওঁলোক তিন দিন থাকিল৷ পাছত
খেদি যোৱা লোকসকলে তেওঁলোকক গোটেই বাটতে বিচাৰিলে কিন্তু
তেওঁলোকক বিচাৰি নাপালে। ২৩ তাৰ পাছত সেই মানুহ দুজন উলটি
পৰ্বতৰ পৰা নামি নদী পাৰ হৈ নুনৰ পুত্ৰ যিহোচূৱাৰ ওচৰলৈ গ’ল
আৰু তেওঁলোকলৈ ঘটা সকলো ঘটনাৰ বিষয়ে তেওঁক ক’লে। ২৪
আৰু তেওঁলোকে যিহোচূৱাক ক’লে, “সঁচাকৈ ঈশ্বৰ যিহোৱাই সেই
গোটেই দেশ আমাৰ হাতত সমৰ্পণ কৰিলে; আমাৰ কাৰণে দেশ-
নিবাসী আটাইবোৰ লোক ভয়ত আতংকিত হৈ আছে।”

৩ পাছদিনা অতি ৰাতিপুৱাতে যিহোচূৱা উঠিল, আৰু তেওঁলোক
আটায়ে চিটীমৰ পৰা যাত্ৰা আৰম্ভ কৰিলে৷ তেওঁ আৰু আটাই ইস্ৰায়েলী
লোক যৰ্দ্দন নদীৰ পাৰলৈ আহিল আৰু নদী পাৰ হোৱাৰ আগতে,
তেওঁলোকে তাতে শিৱিৰ পাতি থাকিল৷ ২ তিন দিনৰ পাছত
বিষয়াসকলে শিবিৰৰ মাজেদি গ’ল; ৩ আৰু লোকসকলক এই আজ্ঞা
দিলে যে, “যেতিয়া তোমালোকে তোমালোকৰ ঈশ্বৰ যিহোৱাৰ নিয়ম-
চন্দুক দেখিবা আৰু লেবীয়া পুৰোহিতসকলক সেই চন্দুক বৈ নিয়া
দেখিবা, তেতিয়া তোমালোকে এই ঠাই এৰি সেই চন্দুকৰ পাছে পাছে
যাবা। ৪ তথাপি তোমালোকৰ মাজত ব্যৱধান থাকিব লাগিব আৰু এই
ব্যৱধান তোমালোকৰ মাজত প্ৰায় দুই হাজাৰ হাত পৰিমাণৰ ঠাই হ’ব
লাগিব। তোমালোকে যাব লগা পথ দেখা পাবলৈ তাৰ ওচৰে ওচৰে
নাযাবা, কিয়নো তোমালোকে আগতে কেতিয়াও সেই বাটেদি যোৱা
নাই।” ৫ তাৰ পাছত যিহোচূৱাই লোকসকলক ক’লে, “তোমালোকে
নিজকে পবিত্ৰ কৰা; কিয়নো কাইলৈ যিহোৱাই তোমালোকৰ মাজত
আচৰিত কৰ্ম কৰিব।” ৬ পাছত যিহোচূৱাই পুৰোহিতসকলক ক’লে,
“তোমালোকে নিয়ম-চন্দুক তুলি লোৱা আৰু লোকসকলৰ আগে
আগে যোৱা।” তেতিয়া তেওঁলোকে নিয়ম-চন্দুক তুলি ল’লে আৰু

লোকসকলৰ আগে আগে যাবলৈ ধৰিলে। ৭ যিহোৱাই যিহোচূৱাক
ক'লে, "মই মোচিৰ লগত থকাৰ দৰে তোমাৰ লগতো যে আছোঁ,
ইয়াক গোটেই ইস্রায়েলে জানিবৰ বাবে, মই আজি তেওঁলোকৰ
দৃষ্টিত তোমাক গৌৰৱান্বিত কৰিম। ৮ তুমি নিয়ম-চন্দুক বৈ নিয়া
পুৰোহিতসকলক এই আজ্ঞা কৰা যে, 'যেতিয়া তোমালোকে গৈ
যৰ্দ্দনৰ পানীৰ দাঁতি পাবা, তেতিয়া যৰ্দ্দন নদীত তোমালোকে ৰৈ
থাকিবা'।" ৯ তেতিয়া যিহোচূৱাই ইস্রায়েলৰ সন্তান সকলক ক'লে,
"তোমোলোকে ইয়ালৈ আহি তোমালোকৰ ঈশ্বৰ যিহোৱাৰ বাক্য
শুনা। ১০ জীৱন্ত ঈশ্বৰ যে তোমালোকৰ মাজত আছে আৰু তেওঁ যে
কনানীয়া, হিত্তীয়া, হিব্বীয়া, পৰিজ্জীয়া, গিৰ্গাচীয়া, ইমোৰীয়া আৰু
যিবুচীয়া লোকসকলক তোমালোকৰ সন্মুখৰ পৰা নিশ্চয়ে যে দূৰ
কৰিব, সেই বিষয়ে তোমালোকে ইয়াৰ দ্বাৰাই জানিবা। ১১ চোৱা!
সমুদায় পৃথিবীৰ প্ৰভুৰ নিয়ম-চন্দুক তোমোলোকৰ সন্মুখেৰে যৰ্দ্দন
পাৰ হৈ যাব। ১২ এই হেতুকে তোমালোকে এতিয়া ইস্রায়েলৰ এক
এক ফৈদৰ পৰা এজনকৈ লোকক ল'বা; এইদৰে বাৰ ফৈদৰ পৰা
বাৰ জনক নিৰ্বাচন কৰি লোৱা। ১৩ সমুদায় পৃথিবীৰ প্ৰভু যিহোৱাৰ
নিয়ম-চন্দুক বৈ নিয়া পুৰোহিতসকলে নিজ ভৰিৰ পতা যৰ্দ্দন নদীৰ
পানীত দিয়াৰ পাছতে যৰ্দ্দনৰ যি পানী ওপৰৰ পৰা বৈ আহিছে,
সেই পানীবোৰ দ'ম খাই ৰ'ব।" ১৪ পাছত নিয়ম-চন্দুক বৈ নিয়া
পুৰোহিতসকল লোকসকলৰ আগে আগে গ'ল আৰু লোকসকল যৰ্দ্দন
পাৰ হ'বৰ কাৰণে নিজ নিজ তম্বুৰ পৰা ওলাই আহিল; ১৫ পাছত
নিয়ম-চন্দুক কঢ়িয়াই নিয়া লোকসকলে যেতিয়া যৰ্দ্দন পালে, তেতিয়া
নিয়ম-চন্দুক কঢ়িওৱা পুৰোহিতসকলৰ ভৰি নদীৰ দাঁতিৰ পানীত
ডুবাই দিয়া মাত্ৰকে (শষ্য চপোৱা সময়ত যৰ্দ্দনৰ পানী পাৰ ওফন্দি
উঠি বাগৰি যায়), ১৬ ওপৰৰ পৰা বৈ অহা পানী ছিগি বহু দূৰৈত থকা
চৰ্তনৰ ওচৰৰ আদম নগৰৰ কাষত দ'ম বান্ধি ৰ'ল আৰু আৰাবা সমুদ্ৰ
অৰ্থাৎ লৱণ-সমুদ্ৰলৈ বৈ যোৱা জল সমূহ বৈ গৈ সম্পূৰ্ণৰূপে নাইকিয়া
হ'ল; তেতিয়া লোকসকলে যিৰীহোৰ সন্মুখেৰে পাৰ হৈ গ'ল। ১৭ আৰু
গোটেই ইস্রায়েল জাতিয়ে পাৰ হৈ নোযোৱালৈকে, যিহোৱাৰ নিয়ম-

চন্দুক বৈ নিয়া পুৰোহিতসকল যৰ্দ্দনৰ মাজত শুকান ভুমিত থিৰে থিয়
হৈ থাকিল আৰু গোটেই ইস্রায়েলে শুকান ভুমিয়েদি পাৰ হৈ গ'ল।

**4** পাছত সকলো লোকে যেতিয়া যৰ্দ্দনৰ ওপৰেৰে পাৰ হ'ল, তেতিয়া
যিহোৱাই যিহোচূৱাক ক'লে, ২ "তোমালোকে লোকসকলৰ এক এক
ফৈদৰ এজন এজন কৈ ক্ৰমে বাৰ ফৈদৰ পৰা বাৰ জনক লোৱা, ৩
আৰু তেওঁলোকক আজ্ঞা কৰি কোৱা যে, 'যৰ্দ্দনৰ মাজত, যি ঠাইত
পুৰোহিতসকলৰ ভৰি থিৰ হৈ আছে, সেই শুকান ঠাইৰ পৰা বাৰটা শিল
তোমালোকে লগত লৈ পাৰলৈ যোৱা আৰু আজি ৰাতি তোমালোকে
যি ঠাইত থাকিবা, সেই ঠাইতে সেই শিলকো থ'বা'।" ৪ তেতিয়া
যিহোচূৱাই বাৰ জন লোকক মাতি আনিলে৷ এই লোককেইজন
ইস্রায়েলৰ প্ৰত্যেক গোষ্ঠীৰ সন্তান সকলৰ মাজৰ পৰা এজন এজনকৈ
যুগুত কৰি থোৱা লোক৷ ৫ যিহোচূৱাই তেওঁলোকক এই কথা ক'লে,
"তোমালোকে যৰ্দ্দনৰ মাজলৈ নামি আহা আৰু তোমালোকৰ ঈশ্বৰ
যিহোৱাৰ নিয়ম-চন্দুকৰ সন্মুখলৈ যোৱা; তাৰ পৰা ইস্রায়েলৰ সন্তান
সকলৰ ফৈদৰ সংখ্যা অনুসাৰে প্ৰতিজনে এটা এটা শিল তুলি কান্ধত
লৈ যোৱা৷ ৬ সেয়ে তোমালোকৰ মাজত চিন হ'ব অৰ্থাৎ যেতিয়া
তোমালোকৰ সন্তান সকলে শিলবোৰৰ বিষয়ে 'তোমালোকে কি বুজা
বুলি সুধিব?' ৭ তেতিয়া তোমালোকে তেওঁলোকক ক'বা যে, 'যিহোৱাৰ
নিয়ম-চন্দুকৰ আগত যৰ্দ্দনৰ পানী ছিগিছিল আৰু নিয়ম-চন্দুক পাৰ
হোৱা কালত যৰ্দ্দনৰ পানী ছিগিছিল। সেয়ে ইস্রায়েলৰ সন্তান সকলৰ
বাবে এই শিলবোৰ সৰ্ব্বদায় সোঁৱৰণৰ চিন হৈ থাকিব'।" ৮ তেতিয়া
ইস্রায়েলৰ সন্তান সকলে যিহোচূৱাৰ আজ্ঞা অনুসাৰে কাৰ্য কৰিলে৷
যিহোৱাই যিহোচূৱাক যেনেকৈ কৈছিল তেনেকৈ, ইস্রায়েলৰ সন্তান
সকলৰ ফৈদৰ সংখ্যা অনুসাৰে তেওঁলোকে যৰ্দ্দনৰ মাজৰ পৰা বাৰটা
শিল তুলি পাৰলৈ লৈ গ'ল আৰু তেওঁলোকে ৰাতি থকা ঠাইতে শিলবোৰ
হ'ল। ৯ আৰু নিয়ম-চন্দুক বৈ নিয়া পুৰোহিতসকলৰ ভৰি থিৰে থকা
ঠাইত, যৰ্দ্দনৰ মাজত যিহোচূৱাই বাৰটা শিল স্থাপন কৰিলে৷ সেই
শিল স্মৃতিচিহ্ন হৈ আজিলৈকে সেই ঠাইতে আছে। ১০ যিহোৱাই
লোকসকলক যিবোৰ কথা ক'বলৈ আজ্ঞা দিছিল, সেই সকলো কথা

মোচিয়ে যিহোচূৱাক পালন কৰিবলৈ কৈছিল৷ পাছত এই কথাবোৰ
সিদ্ধ নোহোৱালৈকে নিয়ম-চন্দুক বৈ নিয়া পুৰোহিতসকলে যৰ্দ্দনৰ
মাজত থিয় হৈ ৰৈ আছিল আৰু লোকসকলে বেগাই পাৰ হৈ গৈছিল।
১১ এইদৰে সকলো লোক পাৰ হোৱাৰ পাছত যিহোৱাৰ নিয়ম-
চন্দুক লৈ পুৰোহিতসকল লোক সকলৰ সাক্ষাতে পাৰ হৈ গ'ল। ১২
ৰূবেণৰ ফৈদৰ সন্তানসকল, গাদ ফৈদৰ সন্তানসকল আৰু মনচি ফৈদৰ
আধাখিনি লোক মোচিয়ে কোৱাৰ দৰে ৰণলৈ সাজু হৈ ইস্রায়েলৰ সন্তান
সকলৰ সন্মুখেৰে পাৰ হৈ গ'ল৷ ১৩ যুদ্ধৰ বাবে যুগুত হোৱা প্ৰায় চল্লিশ
হাজাৰ লোক যিহোৱাৰ সাক্ষাতে ওলাই গ'ল৷ তেওঁলোকে যিৰীহোৰ
সমথললৈ যুদ্ধ কৰিবৰ বাবে পাৰ হৈ গ'ল। ১৪ সেইদিনা যিহোৱাই
গোটেই ইস্রায়েলৰ সাক্ষাতে যিহোচূৱাক গৌৰৱান্বিত কৰিলে; সেয়েহে
ইস্রায়েলৰ সন্তান সকলে মোচিক যেনেকৈ সন্মান কৰিছিল, তেনেকৈ
তেওঁকো তেওঁৰ জীৱনৰ সকলো কালত তেওঁলোকে সন্মান কৰিলে।
১৫ পাছত যিহোৱাই যিহোচূৱাক ক'লে, ১৬ "সাক্ষ্যফলি থকা নিয়ম-
চন্দুক বৈ নিয়া পুৰোহিতসকলক যৰ্দ্দনৰ পৰা উঠি আহিবলৈ আদেশ
কৰা।" ১৭ তেতিয়া যিহোচূৱাই পুৰোহিতসকলক "যৰ্দ্দনৰ পৰা উঠি
আহাঁ" বুলি আজ্ঞা দিলে। ১৮ তাৰ পাছত যিহোৱাৰ নিয়ম-চন্দুক
কঢ়িয়াই নিয়া পুৰোহিতসকলে যৰ্দ্দনৰ মাজৰ পৰা উঠি আহি শুকান
ভূমিত ভৰি দিয়াৰ লগে লগে যৰ্দ্দনৰ পানী নিজ ঠাইলৈ উলটি আহিল
আৰু পূৰ্বৰ দৰে গোটেই পাৰ ওফন্দি উঠি বাগৰি গ'ল। ১৯ এইদৰে
লোকসকলে প্ৰথম মাহৰ দশম দিনত যৰ্দ্দনৰ পাৰৰ পৰা উঠি আহিল
আৰু যিৰীহোৰ পূব সীমাত থকা গিলগলত ছাউনি পাতিলে। ২০
পাছত তেওঁলোকে যৰ্দ্দনৰ পৰা লৈ অহা সেই বাৰটা শিল যিহোচূৱাই
গিলগলত স্থাপন কৰিলে। ২১ তেওঁ ইস্রায়েলৰ সন্তান সকলক ক'লে,
"আগলৈ তোমালোকৰ সন্তান সকলে নিজ নিজ পিতৃসকলক যদি
সোধে, বোলে, 'এই শিলবোৰ কিহৰ বাবে?' ২২ তেতিয়া তোমালোকে
নিজ নিজ সন্তান সকলক ক'বা যে, 'এইবোৰ সেই ঠাইৰ, যেতিয়া
ইস্রায়েলসকলে শুকান ভূমিয়েদি যৰ্দ্দন পাৰ হৈ আহিছিল'। ২৩ কিয়নো
আমি পাৰ হৈ নোযোৱালৈকে তোমালোকৰ ঈশ্বৰ যিহোৱাই যি চূফ

সাগৰক আমাৰ সন্মুখত শুকুৱাইছিল, সেই সাগৰক শুকুৱাৰ দৰে
তোমালোক পাৰ হৈ নোযোৱালৈকে তোমালোকৰ ঈশ্বৰ যিহোৱাই
তোমালোকৰ আগতো যৰ্দ্দনৰ পানী শুকুৱাই ৰাখিছিল, ২৪ এইদৰে
পৃথিবীৰ সকলো জাতিয়ে যেন জানিবলৈ পায় যে, যিহোৱাৰ হাত
বলৱান আৰু তোমালোকেও যেন চিৰকাল ঈশ্বৰ যিহোৱাক সন্মান
কৰা।”

৫ পাছত যিহোৱাই যে ইস্ৰায়েলৰ সন্তানসকল পাৰ নোহোৱালৈকে
যৰ্দ্দনৰ পানী শুকুৱাই ৰাখিলে, এই কথা যৰ্দ্দনৰ পশ্চিম পাৰে
থকা ইমোৰীয়াসকলৰ সকলো ৰজাই আৰু সমুদ্ৰৰ ওচৰত থকা
কনানীয়াসকলৰ সকলো ৰজাই যেতিয়া শুনিলে, তেতিয়া তেওঁলোকৰ
হৃদয় ভয়ত আতুৰ হৈ গ’ল আৰু ইস্ৰায়েলৰ সন্তানসকলৰ কাৰণে
তেওঁলোকৰ পুনৰ সাহস নহ’ল। ২ সেই সময়ত যিহোৱাই যিহোচূৱাক
ক’লে, “তুমি শিলৰ কটাৰী তৈয়াৰ কৰি পুনৰ ইস্ৰায়েলৰ সন্তানসকলক
দ্বিতীয় বাৰৰ বাবে চুন্নৎ কৰোওৱা।” ৩ তেতিয়া যিহোচূৱাই শিলৰ
কটাৰী তৈয়াৰ কৰি, গিবেথ হাৰলোঠ নামেৰে পৰ্বতৰ ওচৰত ইস্ৰায়েলৰ
সন্তানসকলৰ চুন্নৎ কৰোৱালে। ৪ যিহোচূৱাই তেওঁলোকক চুন্নৎ
কৰোঁৱাৰ কাৰণ এই যে, মিচৰ দেশৰ পৰা ওলাই অহা লোকসকলৰ
মাজত যিমান যুদ্ধ কৰিব পৰা পুৰুষ আছিল, সেই পুৰুষসকল মিচৰৰ
পৰা যাত্ৰা কৰি আহি থাকোতে মৰুভূমিৰ বাটৰ মাজতে মৰিল। ৫
যদিও মিচৰৰ পৰা ওলাই অহা সকলো লোকৰে চুন্নৎ কৰোঁৱা হৈছিল;
কিন্তু ওলাই আহোঁতে মৰুভূমিৰ পথত জন্ম হোৱাসকলৰ কোনো
এজনৰে চুন্নৎ কৰোঁৱা হোৱা নাছিল। ৬ কাৰণ মিচৰৰ পৰা ওলাই
অাহোতে ইস্ৰায়েলৰ সন্তান সকলে চল্লিশ বছৰ মৰুভূমিত ভ্ৰমণ
কৰি আছিল; তাতে যিহোৱাৰ গোটেই জাতিৰ লোকসকল, বিশেষকৈ
যুদ্ধ কৰিব পৰা পুৰুষসকলে যিহোৱাৰ কথা নুশুনাৰ বাবে বিনষ্ট
হৈছিল৷ যিহোৱাই আমাক যি দেশ দিম বুলি আমাৰ পূৰ্বপুৰুষসকলৰ
আগত প্ৰতিজ্ঞা কৰিছিল, সেই গাখীৰ আৰু মৌজোল বৈ থকা দেশ
তেওঁলোকক দেখিবলৈ নিদিওঁ বুলি যিহোৱাই তেওঁলোকৰ আগত
শপত খাইছিল। ৭ পাছত তেওঁলোকৰ সলনি তেওঁলোকে পোৱা

সন্তান সকলেহে দেখিবলৈ পালে; যিহোচূৱাই তেওঁলোকৰেই চুন্নৎ
কৰোৱালে; কিয়নো তেওঁলোক অচুন্নৎ আছিল। আহি থাকোতে বাটত
তেওঁলোকৰ চুন্নৎ কৰা হোৱা নাছিল। ৮ এইদৰে গোটেই জাতিৰ চুন্নৎ
কৰাৰ পাছত, তেওঁলোক সুস্থ নোহোৱালৈকে ছাউনিৰ মাজত নিজ
নিজ ঠাইতেই থাকিল। ৯ পাছত যিহোৱাই যিহোচূৱাক ক'লে, "আজি
মই তোমালোকৰ পৰা মিচৰৰ দুৰ্নাম স্বৰূপ শিল বগৰাই পেলালোঁ।"
এই হেতুকে সেই ঠাই গিলগল বুলি আজিলৈকে বিখ্যাত হৈ আছে। ১০
ইস্রায়েলৰ সন্তানসকলে গিলগলত ছাউনি পাতিলে আৰু মাহৰ চতুৰ্দ্দশ
দিনৰ গধূলি বেলা যিৰীহোৰ সমথলত নিস্তাৰ-পৰ্ব্ব পালন কৰিলে। ১১
সেই নিস্তাৰ-পৰ্ব্বৰ পাছদিনা তেওঁলোকে দেশত উৎপন্ন হোৱা শস্য
ভোজন কৰিলে; সেই দিনাই তেওঁলোকে খমীৰ নিদিয়া পিঠা আৰু ভজা
শস্য ভোজন কৰিলে। ১২ আৰু তাৰ পাছদিনা, তেওঁলোকে দেশত
উৎপন্ন হোৱা শস্য ভোজন কৰাৰ পাছত তেওঁলোকৰ মাজৰ পৰা মান্না
নাইকিয়া হ'ল৷ তেতিয়াৰে পৰা ইস্রায়েলৰ সন্তান সকলে পুনৰ মান্না
নাপালে, কিন্তু সেই বছৰৰ পৰা তেওঁলোকে কনান দেশৰ শস্যহে
ভোজন কৰিলে। ১৩ যিৰীহোৰ ওচৰত থকা সময়ত যিহোচূৱাই চকু
তুলি চাই দেখিলে যে, তেওঁৰ সন্মুখত এজন পুৰুষ থিয় হৈ আছে
আৰু সেই পুৰুষৰ হাতত আছে এখন ফাঁকৰ পৰা উলিওৱা তৰোৱাল;
তেতিয়া যিহোচূৱাই তেওঁৰ ওচৰলৈ গৈ সুধিলে, "তুমি আমাৰ পক্ষৰ,
নে আমাৰ শত্ৰুবোৰৰ পক্ষৰ?" ১৪ তেতিয়া তেওঁ ক'লে, "মই কোনো
পক্ষৰে নহও; মই যিহোৱাৰ সৈন্য-বাহিনীৰ সেনাপতি৷ এতিয়া মই
আহিলোঁ।" তেতিয়া যিহোচূৱাই মাটিলৈ মূৰ দোৱাই প্ৰণিপাত কৰি
তেওঁক ক'লে, "মোৰ প্ৰভুৱে তেওঁৰ দাসক কি আজ্ঞা দিয়ে?" ১৫
যিহোৱাৰ সৈন্য-বাহিনীৰ সেনাপতিয়ে যিহোচূৱাক ক'লে, "তোমাৰ
ভৰিৰ পৰা তোমাৰ জোতা সোলোকোৱা; কিয়নো তুমি যি ঠাইত থিয়
হৈ আছা, সেই ঠাই পবিত্ৰ।" তেতিয়া যিহোচূৱাই সেইদৰেই কৰিলে৷

৬ সেই সময়ত ইস্রায়েলৰ সন্তান সকলৰ ভয়ত যিৰীহো নগৰৰ
প্ৰৱেশ পথবোৰ বন্ধ আছিল; ভিতৰলৈ কি বাহিৰলৈ কোনেও ওলোৱা-
সোমোৱা কৰা নাছিল। ২ পাছত যিহোৱাই যিহোচূৱাক ক'লে, "চোৱা,

মই যিৰীহোক, ইয়াৰ ৰজাক আৰু তাৰ প্ৰশিক্ষিত বীৰপুৰুষসকলক
তোমাৰ হাতত সমৰ্পণ কৰিলোঁ। ৩ তোমালোকৰ আটাই যুদ্ধাৰু লোকে
নগৰখনৰ চাৰিওকাষে এবাৰ কুচকাৱাজ কৰি প্ৰদক্ষিণ কৰিবা৷ এইদৰে
তুমি ছদিন কৰিবা। ৪ আৰু সাতজন পুৰোহিতক নিয়ম-চন্দুকৰ আগে
আগে মহাশব্দকাৰী সাতোটা শিঙা লৈ যাবলৈ দিবা৷ পাছত সপ্তম দিনা
তোমালোকে সাতবাৰ নগৰখন প্ৰদক্ষিণ কৰিবা আৰু পুৰোহিতসকলক
উচ্চ শব্দেৰে শিঙা বজাবলৈ দিবা। ৫ আৰু যেতিয়া তেওঁলোকে
মহাশব্দকাৰী শিঙা দীঘলীয়াকৈ উচ্চ শব্দেৰে বজাব আৰু তোমালোকে
যেতিয়া শিঙাৰ শব্দ শুনিবা, তেতিয়া সকলো লোকে মহাধ্বনি কৰিবা;
তাতে নগৰৰ গড় মাটিৰ সমান হৈ পৰিব আৰু প্ৰতিজন লোকে
নিজৰ সন্মুখেদি পোনে পোনে উঠি যাবা।” ৬ তেতিয়া নুনৰ পুত্ৰ
যিহোচূৱাই পুৰোহিতসকলক মাতি আনি ক’লে, “তোমালোকে নিয়ম-
চন্দুক দাঙি লোৱা আৰু পুৰোহিত সাত জনে যিহোৱাৰ নিয়ম-চন্দুকৰ
আগে আগে মহাশব্দকাৰী সাতোটা শিঙা লৈ যোৱা।” ৭ পাছত তেওঁ
লোকসকলক ক’লে, “তোমালোকে গৈ নগৰ প্ৰদক্ষিণ কৰা আৰু যুদ্ধলৈ
সাজু হৈ থকা সৈন্যসকল যিহোৱাৰ চন্দুকৰ আগে আগে যোৱা।” ৮
এইদৰে যিহোচূৱাই লোকসকলক কোৱাৰ দৰে, মহাশব্দকাৰী শিঙা
লৈ যোৱা পুৰোহিত সাত জনে যিহোৱাৰ নিয়ম-চন্দুকৰ আগে আগে
উচ্চ শব্দেৰে শিঙা বজাই বজাই যাবলৈ ধৰিলে আৰু যিহোৱাৰ নিয়ম-
চন্দুক তেওঁলোকৰ পাছে পাছে লৈ গৈ থাকিল। ৯ ৰণলৈ সাজু হোৱা
সৈন্যসকল শিঙা বজোৱা পুৰোহিতসকলৰ আগে আগে গ’ল আৰু
তেওঁলোকৰ পাছত যোৱা লোকৰ দলটো নিয়ম-চন্দুকৰ পাছে পাছে
গ’ল; যাওঁতে পুৰোহিতসকলে শিঙা বজাই বজাই গ’ল। ১০ তাৰ
পাছত যিহোচূৱাই লোকসকলক আজ্ঞা দি ক’লে, “মই তোমালোকক
মহাধ্বনি কৰিবলৈ আজ্ঞা দিয়া দিনটো নহালৈকে, তোমালোকে
ধ্বনি নকৰিবা আৰু নিজ নিজ মাত নুশুনাবা, তোমালোকৰ মুখৰ
পৰা কোনো কথা নোলাওক; মই যিদিনা আজ্ঞা দিম, সেই দিনাহে
তোমালোকে মহাধ্বনি কৰিবা।” ১১ এইদৰে তেওঁ নগৰৰ চাৰিওফালে
যিহোৱাৰ নিয়ম-চন্দুক এবাৰ প্ৰদক্ষিণ কৰোৱালে আৰু তেওঁলোকে

ছাউনিলৈ আহি ৰাতি ছাউনিতে থাকিল। ১২ তাৰ পাছদিনা যিহোচূৱা
ৰাতিপুৱাতে উঠিল আৰু পুৰোহিতসকলে যিহোৱাৰ নিয়ম-চন্দুক দাঙি
ল’লে৷ ১৩ মহাশব্দকাৰী সাতোটা শিঙা লোৱা পুৰোহিত সাত জনে
যিহোৱাৰ নিয়ম-চন্দুকৰ আগে আগে শিঙা বজাই বজাই গ’ল আৰু
পাছত যাবলগীয়াসকলে পাছে পাছে গমন কৰিলে; পুৰোহিতসকলে
যাওঁতে উচ্চ শব্দেৰে শিঙা বজাই বজাই গ’ল। ১৪ তেওঁলোকে
দ্বিতীয় দিনাও নগৰখন এবাৰ প্ৰদক্ষিণ কৰি ছাউনিলৈ উলটি আহিল৷
এইদৰে তেওঁলোকে ছয় দিন কৰিলে। কৰিলে। ১৫ পাছত সপ্তম
দিনা সূৰ্য উদয় হোৱা সময়ত তেওঁলোকে সোনকালে উঠিল, আৰু
আগেয়ে কৰি অহাৰ দৰে নগৰ খন সাত বাৰ প্ৰদক্ষিণ কৰিলে; কেৱল
সেই দিনাহে নগৰখন সাতবাৰ প্ৰদক্ষিণ কৰিলে। ১৬ সপ্তম-বাৰত
পুৰোহিতসকলে শিঙা বজোৱাৰ পাছত যিহোচূৱাই লোকসকলক
ক’লে, “তোমালোকে মহাধ্বনি কৰা; কিয়নো যিহোৱাই তোমালোকক
নগৰখন দিলে। ১৭ কিন্তু নগৰ আৰু তাৰ ভিতৰত থকা সকলোৱেই
যিহোৱাৰ উদ্দেশে বৰ্জিত হ’ব৷ কেৱল ৰাহাব বেশ্যা আৰু তাইৰ ঘৰত
তাইৰ লগত থকা আটাইবোৰ লোক জীয়াই থাকিব; কিয়নো আমি
পঠোৱা দূতকেইজনক তাই লুকুৱাই ৰাখিছিল। ১৮ তোমালোকে সেই
ব্যৱহাৰৰ বাবে যিহোৱাই বৰ্জন কৰা সেই বৰ্জিত বস্তুৰ পৰা সাৱধানে
থাকিবা; নহলে তাক বৰ্জিত কৰাৰ পাছত বৰ্জিত বস্তুৰ কিছু ল’লে,
তোমালোকে ইস্ৰায়েলৰ ছাউনিকো বৰ্জিত কৰি দুখত পেলাবা। ১৯
সমুদায় ৰূপ, সোণ আৰু পিতল আৰু লোহাৰ পাত্ৰবোৰ যিহোৱাৰ
উদ্দেশে পবিত্ৰ হ’ব; সেইবোৰক যিহোৱাৰ ভঁৰাললৈ অনা হ’ব।” ২০
তেতিয়া লোকসকলে ধ্বনি কৰিলে আৰু পুৰোহিতসকলে উচ্চ শব্দেৰে
শিঙা বজালে৷ শিঙাৰ শব্দ শুনি লোকসকলে মহাধ্বনি কৰিলে৷ তাতে
নগৰৰ গড় পৰি মাটিৰ সমান হোৱাৰ পাছত, প্ৰতিজন লোকে নিজৰ
সন্মুখেৰে পোনে পোনে উঠি গৈ নগৰত সোমাল আৰু তেওঁলোকে
নগৰ খন দখল কৰি ল’লে। ২১ তাতে তেওঁলোকে নগৰৰ পুৰুষ,
মহিলা, ডেকা, বুঢ়া আৰু গৰু, মেৰ, গাধ আদি সকলোকে তৰোৱালৰ
ধাৰেৰে নিঃশেষে বিনষ্ট কৰিলে। ২২ তেতিয়া গুপুতে দেশৰ বুজ-

বিচাৰ লোৱা মানুহ দুজনক যিহোচূৱাই ক’লে, “তোমালোকে সেই
বেশ্যাৰ ঘৰত সোমাই তিৰোতা জনীৰ আগত তোমালোকে শপত
খোৱাৰ দৰে তাইক আৰু তাইৰ সকলোকে উলিয়াই আনাগৈ।” ২৩
তেতিয়া সেই ডেকা চোৰাংচোৱা দুজনে সোমাই গৈ ৰাহাব আৰু তাইৰ
বাপেক, মাক আৰু ভাই ককাই আদি কৰি তাইৰ সম্পৰ্কীয় সকলোকে
আৰু আটাইবোৰ জ্ঞাতি-কুটুম্বক উলিয়াই আনি, ইস্ৰায়েলৰ ছাউনিৰ
বাহিৰত হ’ল। ২৪ আৰু লোকসকলে নগৰ আৰু তাৰ ভিতৰত থকা
সকলোকে জুইৰে পুৰি ভস্ম কৰিলে; কেৱল ৰূপ, সোণ আৰু পিতল আৰু
লোহাৰ পাত্ৰবোৰ যিহোৱাৰ গৃহৰ ভঁৰালত হ’ল। ২৫ কিন্তু যিহোচূৱাই
ৰাহাব বেশ্যাক আৰু তাইৰ বাপেকৰ বংশৰ লগতে তাইৰ সকলোকে
জীয়াই ৰাখিলে৷ তাই আজিলৈকে ইস্ৰায়েলৰ মাজত বাস কৰি আছে;
কিয়নো যিহোচূৱাই গোপনে যিৰীহোৰ বুজ-বিচাৰ ল’বলৈ পঠোৱা
চোৰাংচোৱা দূত কেইজনক তাই লুকুৱাই ৰাখিছিল। ২৬ সেই সময়ত
যিহোচূৱাই শপত খাই লোকসকলক ক’লে, “যি কোনোৱে উঠি পুনৰায়
যিৰীহো নগৰ নিৰ্ম্মাণ কৰিব, সি যিহোৱাৰ সাক্ষাতে অভিশপ্ত হওঁক; সি
ভিত্তিমূল স্থাপন কৰি দণ্ডস্বৰূপে বৰ পুতেকক আৰু তাৰ দুৱৰি লগাই
দণ্ডস্বৰূপে সৰু পুতেকক দিব।” ২৭ এইদৰে যিহোৱা যিহোচূৱাৰ লগত
আছিল আৰু তেওঁৰ যশস্যা গোটেই কনান দেশত বিয়পি গ’ল।

**৭** কিন্তু ইস্ৰায়েলৰ সন্তান সকলে ধ্বংস কৰিবলগীয়া যিহোৱাই বৰ্জন
কৰা বস্তুৰ বিষয়ত অবিশ্বাসযোগ্য লোকৰ দৰে কৰ্ম কৰিলে। কৰ্মীৰ পুত্ৰ
আখান, এই আখান যিহূদা ফৈদৰ। এওঁ ধ্বংস হ’বলগীয়া বৰ্জিত বস্তুৰ
কিছুমান নিজৰ লগত লৈ গৈছিল; সেয়ে যিহোৱাৰ ক্ৰোধ ইস্ৰায়েলৰ
সন্তান সকলৰ ওপৰত জ্বলি উঠিল। ২ যিহোচূৱাই যিৰীহোৰ পৰা
বৈৎএলৰ পূবফালে থকা, বৈৎ-আবনৰ ওচৰৰ অয়লৈ মানুহ পঠাই
ক’লে, “তোমালোকে উঠি গৈ, গুপুতে এই দেশৰ বুজ-বিচাৰ লৈ
আঁহাগৈ।” তেতিয়া উঠি গৈ তেওঁলোকে অয়ৰ বুজ-বিচাৰ ল’লে। ৩
পাছত তেওঁলোকে যিহোচূৱাৰ ওচৰলৈ উলটি আহি ক’লে, “অয়লৈ
আটাইবোৰ মানুহ নপঠিয়াব; তালৈ উঠি গৈ অয়ক আক্ৰমণ কৰিবলৈ
কেৱল দুই বা তিনি হাজাৰমান লোকহে পঠিয়াওক৷ ৰণত আটাইবোৰ

মানুহক পঠাই কষ্ট নিদিব, কিয়নো সিহঁত সংখ্যাত তাকৰ।” ৪ এই
হেতুকে লোকসকলৰ মাজৰ পৰা তিনি হাজাৰমান লোক সেই ঠাইলৈ
উঠি গ’ল; কিন্তু তেওঁলোক অয়ৰ লোক সকলৰ আগৰ পৰা পলাল।
৫ আৰু অয়ৰ লোকসকলে তেওঁলোকৰ ছয়ত্ৰিশ জনমান লোকক
বধ কৰিলে আৰু সিহঁতে নগৰৰ দুৱাৰৰ আগৰ পৰা চবাৰীমলৈকে
তেওঁলোকক খেদি নিলে আৰু নামি যোৱা বাটত তেওঁলোকক প্ৰহাৰ
কৰিলে; তাতে তেওঁলোকৰ হৃদয় ভয়ত আতুৰ হৈ পৰিল আৰু
তেওঁলোকে সাহস হেৰুৱাই পেলালে। ৬ তেতিয়া যিহোচূৱাই নিজৰ
কাপোৰ ফালিলে৷ তেওঁ আৰু ইস্ৰায়েলৰ বৃদ্ধ লোকসকলে নিজ নিজ
মুৰত ধুলি ছটিয়াই, যিহোৱাৰ নিয়ম-চন্দুকৰ আগত, তললৈ মুখ কৰি
সন্ধিয়ালৈকে মাটিত পৰি থাকিল। ৭ তেতিয়া যিহোচূৱাই ক’লে, “হায়
হায়, হে প্ৰভু যিহোৱা, আমাক বিনষ্ট কৰাবৰ অৰ্থে এই ইমোৰীয়াসকলৰ
হাতত আমাক শোধাই দিবলৈ, তুমি কিয় এই লোকসকলক যৰ্দ্দন
পাৰ কৰি আনিলা? তাতকৈ আমি অন্য সিদ্ধান্তৰে ক্ষান্ত হৈ যৰ্দ্দনৰ
সিপাৰে থকা হ’লেই কেনে ভাল আছিল! ৮ হে প্ৰভু, ইস্ৰায়েলে নিজ
শত্ৰুবোৰলৈ পিঠি দিলে, এতিয়া মই কি ক’ম? ৯ কিয়নো কনানীয়া
আদি কৰি এই দেশনিবাসী আটাই লোকে যেতিয়া এই কথা শুনিব,
তেতিয়া তেওঁলোকে আমাক বেৰি ধৰিব আৰু পৃথিবীৰ পৰা আমাৰ নাম
লুপ্ত কৰিব; তেতিয়া তোমাৰ মহান নামৰ কাৰণে তুমি কি কৰিবা?”
১০ তেতিয়া যিহোৱাই যিহোচূৱাক ক’লে, “উঠা, তুমি তললৈ মুখ কৰি
কিয় মাটিত পৰি আছা? ১১ ইস্ৰায়েলে পাপ কৰিলে৷ মই তেওঁলোকক
আজ্ঞা কৰা নিয়মটিও লঙ্ঘন কৰিলে৷ তেওঁলোকে বৰ্জিত বস্তুৰ পৰাই
কিছু চুৰ কৰি ল’লে, চুৰ কৰিও ভাও ধৰিলে আৰু তেওঁলোকৰ বস্তুৰ
মাজত সেই বৰ্জিত বস্তু লুকুৱাই ৰাখিলে। ১২ সেই বাবে ইস্ৰায়েলৰ
সন্তান সকলে শত্ৰুবোৰৰ আগত থিয় হ’ব নোৱাৰিলে৷ তেওঁলোকে
শত্ৰুবোৰলৈ পিঠি দিলে, কিয়নো তেওঁলোক বৰ্জিত হ’ল৷ তোমালোকে
সেই বৰ্জিত বস্তু বিনষ্ট কৰি তোমালোকৰ মাজৰ পৰা দূৰ নকৰিলে,
মই তোমালোকৰ লগত পুনৰ নাথাকিম। ১৩ উঠা! লোকসকলক পবিত্ৰ
কৰা আৰু তুমি তেওঁলোকক কোৱা, তোমালোকে কালিৰ কাৰণে

নিজকে পবিত্ৰ কৰা। কিয়নো ইস্রায়েলৰ ঈশ্বৰ যিহোৱাই এই কথা
কৈছে, ‘হে ইস্রায়েল, তোমাৰ মাজত বৰ্জিত বস্তু আছে। তোমালোকৰ
মাজৰ পৰা সেই বৰ্জিত বস্তু দূৰ নকৰালৈকে তুমি তোমাৰ শত্রুবোৰৰ
আগত থিয় হ’ব নোৱাৰিবা’। ১৪ এতেকে ৰাতিপুৱাতে তোমালোকে
নিজ নিজ ফৈদ অনুসাৰে হাজিৰ হ’বা৷ তাতে চিঠি-খেলোতে যিহোৱাই
যি ফৈদক ধৰিব, সেই ফৈদৰ এক এক গোষ্ঠী ওচৰ চাপি আহিব
আৰু যিহোৱাই যি পৰিয়ালক ধৰিব, তাৰ এজন এজন পুৰুষ ওচৰ
চাপি আহিব। ১৫ তাতে যিহোৱাই বৰ্জন কৰা বস্তু লোৱা যি জন ধৰা
পৰিব, তাক আৰু তাৰ সকলোকে জুইত পোৰা যাব; কিয়নো তেওঁ
যিহোৱাৰ নিয়মটি লঙ্ঘন কৰি ইস্রায়েলৰ মাজত অপমানজনক কাম
কৰিলে।” ১৬ পাছত যিহোচূৱাই ৰাতিপুৱাতে উঠি ইস্রায়েলক নিজ
নিজ ফৈদ অনুসাৰে মাতি আনিলে; তাতে যিহূদা ফৈদ ধৰা পৰিল। ১৭
আৰু যিহূদা ফৈদৰ লোকসকলক মাতি অানোতে, জেৰহৰ গোষ্ঠী
ধৰা পৰিল; পাছত জেৰহৰ গোষ্ঠীৰ পুৰুষ অনুসাৰে মাতি আনোতে,
জব্দী ধৰা পৰিল। ১৮ তাৰ পাছত তেওঁৰ পৰিয়ালৰ সকলো লোকক
এজন এজনকৈ মাতি আনোতে আখান ধৰা পৰিল, আখান কৰ্মীৰ
পুত্ৰ, কৰ্মী জব্দীৰ পুত্ৰ, জব্দী জেৰহৰ পুত্ৰ; এওঁ যিহূদা ফৈদৰ আছিল।
১৯ তেতিয়া যিহোচূৱাই আখানক ক’লে, “বোপা, তুমি সৰ্বসশক্তিমান
ইস্রায়েলৰ ঈশ্বৰ যিহোৱাৰ সন্মূখত সত্য কথা কোৱা আৰু তেওঁৰ
প্ৰশংসা কৰা৷ বিনয় কৰোঁ, তুমি যি কৰিলা, সেই বিষয়ে মোক কোৱা;
মোৰ পৰা সেই বিষয় নুলুকুৱাবা।” ২০ তেতিয়া আখানে উত্তৰ দি
যিহোচূৱাক ক’লে, “সঁচাকৈ মই ইস্রায়েলৰ ঈশ্বৰ যিহোৱাৰ অহিতে
পাপ কৰিলোঁ৷ মই এনে কাৰ্য কৰিলোঁ: ২১ লুটদ্ৰব্যৰ মাজৰ এটা উত্তম
বাবিলীয়া চোলা, দুশ চেকল ৰূপ আৰু পঞ্চাশ চেকল জোখৰ জিভা
আকৃতিৰ এচটা সোণ দেখি, লোভতে মই সেইবোৰ ললোঁ৷ সেইবোৰ
মোৰ তম্বুৰ ভিতৰত মাটিত পুতি থোৱা আছে আৰু সেইবোৰৰ তলতে
ৰূপো আছে।” ২২ তেতিয়া যিহোচূৱাই বাৰ্তাবাহকসকলক সেই ঠাইলৈ
পঠিয়ালে আৰু তেওঁলোকে তাৰ তম্বুৰ ভিতৰলৈ লৰি গ’ল৷ সেই ঠাইলৈ
গৈ তেওঁলোকে দেখিলে যে, সেই বস্তু তাৰ তম্বুৰ ভিতৰত পুতি থোৱা

আছে আৰু সেইবোৰৰ তলত ৰূপো আছে, ২৩ তেতিয়া তেওঁলোকে
তম্বুৰ ভিতৰৰ পৰা সেই বস্তুবোৰ লৈ যিহোচূৱাৰ আৰু ইস্ৰায়েলৰ
ওচৰলৈ আনি যিহোৱাৰ আগত সেইবোৰ হ'ল। ২৪ পাছত যিহোচূৱা
আৰু তেওঁৰে সৈতে গোটেই ইস্ৰায়েলে জেৰহৰ পুত্ৰ আখানক আৰু
সেই ৰূপ, চোলা আৰু সোণৰ জিভা আৰু তাৰ পুতেক, জীয়েক, তাৰ
গৰু, তাৰ গাধ, তাৰ ভেড়া আৰু তাৰ তম্বু আদি সকলোকে ল'লে আৰু
সকলোবোৰ আখোৰ উপত্যকালৈ আনিলে। ২৫ পাছত যিহোচূৱাই
ক'লে, "তুমি আমাক কিয় দুখত পেলালা? যিহোৱাই আজি তোমাকো
দুখত পেলাব।" পাছত সমুদায় ইস্ৰায়েলে তাক আৰু তাৰ সকলোকে
শিল দলিয়াই বধ কৰিলে আৰু সকলোকে জুইত পুৰিলে৷ ২৬ পাছত
তাৰ ওপৰত শিল দলিয়াই দলিয়াই শিলৰ বৰ দ'ম কৰিলে; শিলৰ
সেই দ'ম আজিলৈকে আছে। পাছত যিহোৱাই তেওঁৰ প্ৰচণ্ড ক্ৰোধৰ
পৰা ঘূৰিল। সেই বাবে এই ঠাই আখোৰ উপত্যকা বুলি আজিলৈকে
বিখ্যাত আছে।

৮ পাছত যিহোৱাই যিহোচূৱাক ক'লে, "তুমি ভয় নকৰিবা আৰু ব্যাকুল
নহ'বা৷ যুদ্ধ কৰিব পৰা লোকসকলক তোমাৰ লগত লোৱা৷ উঠা, অয়লৈ
যাত্ৰা কৰা৷ চোৱা, মই অয়ৰ ৰজাক, তাৰ প্ৰজাসকলক, তাৰ নগৰ আৰু
তাৰ দেশ তোমাৰ হাতত শোধাই দিলোঁ। ২ তুমি যিৰীহো আৰু তাৰ
ৰজালৈ যেনে কৰিলা, অয়লৈ আৰু তাৰ ৰজালৈকো তেনে কৰিবা,
কেৱল তাৰ লুটদ্ৰব্য আৰু পশু তোমালোকে তোমালোকৰ কাৰণে
লুট কৰি ল'বা৷ তুমি নগৰৰ পাছফালে এদল সৈন্য লুকুৱাই চোপ লৈ
থাকিবলৈ দিবা।" ৩ তেতিয়া যিহোচূৱা আৰু যুদ্ধ কৰিব পৰা সকলো
লোক অয়লৈ যাবৰ বাবে উঠিল আৰু যিহোচূৱাই ত্ৰিশ হাজাৰ বলৱান
আৰু সাহিয়াল বীৰপুৰুষ বাচি লৈ ৰাতিয়েই তেওঁলোকক পঠিয়াই
দিলে। ৪ তেওঁ তেওঁলোকক এই আজ্ঞা দিলে, "চোৱা, তোমালোক
নগৰৰ বিপৰীতে, পাছফালে লুকাই থাকিবা৷ নগৰৰ পৰা বৰ দূৰলৈ
নাযাবা, কিন্তু তোমালোক সকলোৱে যুগুত থাকিবা। ৫ মই আৰু মোৰ
লগৰ লোকসকল নগৰৰ ওচৰলৈ যাম, তাতে যেতিয়া তেওঁলোকে
আমাক আক্ৰমণ কৰিবলৈ ওলাই আহিব, তেতিয়া পূৰ্বৰ দৰে আমি

তেওঁলোকৰ আগৰ পৰা পলাম৷ ৬ পাছত তেওঁলোকে আমাক নগৰৰ
পৰা দূৰলৈ খেদি নিবৰ বাবে নগৰৰ বাহিৰলৈ তেওঁলোক ওলাই
আহিব আৰু আমাক পাছে পাছে খেদি আহিব৷ কিয়নো তেওঁলোকে
ক'ব, 'এওঁলোকে আগৰ নিচিনাকৈ আমাৰ পৰা পলাইছে৷' গতিকে,
এইদৰে আমি তেওঁলোকৰ আগৰ পৰা পলাম। ৭ তেতিয়া তোমালোকে
লুকাই থকা ঠাইৰ পৰা ওলাই আহিবা আৰু নগৰ আটক কৰি ল'বা৷
কিয়নো তোমালোকৰ ঈশ্বৰ যিহোৱাই তাক তোমালোকৰ হাতত
শোধাই দিব। ৮ যেতিয়া তোমালোকে নগৰ আটক কৰিবা, তাত
জুই লগাই দিবা৷ যিহোৱাৰ বাক্যত আজ্ঞা কৰাৰ দৰে তোমালোকে
এই কাৰ্য কৰিবা। চোৱা, মই তোমালোকক আজ্ঞা কৰিলোঁ।" ৯
এইদৰে, যিহোচূৱাই তেওঁলোকক পঠোৱাৰ পাছত তেওঁলোকে গৈ
অয়ৰ পশ্চিমে বৈৎএলৰ আৰু অয়ৰ মাজ ঠাইত লুকাই থাকিল; কিন্তু
যিহোচূৱাই লোকসকলৰ মাজত সেই ৰাতিটো শুই থাকিল। ১০ পাছত
যিহোচূৱাই অতি ৰাতিপুৱাতে উঠি আহিল আৰু ৰণুৱাসকলক সাজু
কৰিলে৷ পাছত তেওঁ ইস্ৰায়েলৰ বৃদ্ধলোক সকলেৰে সৈতে আগে
আগে গৈ অয়ক আক্ৰমণ কৰিলে। ১১ তেওঁৰ লগত থকা সকলো
ৰণুৱাই উঠি গৈ নগৰৰ সন্মুখত উপস্থিত হ'ল৷ তেওঁলোকে নগৰৰ
ওচৰ চাপি অয়ৰ উত্তৰ ফালে ছাউনি পাতিলে৷ তেওঁলোকৰ আৰু
অয়ৰ মাজত এক উপত্যকা আছিল। ১২ তেওঁ পাঁচ হাজাৰ মান লোক
লগত লৈ নগৰৰ পশ্চিম ফালে বৈৎএল আৰু অয়ৰ মাজত আক্ৰমণ
কৰিবলৈ লুকুৱাই ৰাখিছিল। ১৩ এইদৰে মুখ্য ৰণুৱাসকলক নগৰৰ
উত্তৰফালে থকা গোটেই ছাউনিক আৰু নগৰৰ পশ্চিমফালে পহৰা দি
লুকাই থকা দলটিক উপযুক্ত স্থানত স্থাপন কৰি যিহোচূৱাই সেই ৰাতি
উপত্যকাৰ মাজলৈ গমণ কৰিলে। ১৪ পাছত অয়ৰ ৰজাই তাক দেখাৰ
লগে লগে তেওঁ আৰু তেওঁৰ সকলো সৈন্য-বাহিনীয়ে ৰাতিপুৱাতে
বেগাই উঠি আহিল, আৰু ইস্ৰায়েলৰ লগত যুদ্ধ কৰিবলৈ, যৰ্দন নদীৰ
সন্মুখত থকা নিৰূপিত ঠাইলৈ বেগাই যাত্ৰা কৰিলে৷ কিন্তু তেওঁৰ
বিৰুদ্ধে নগৰৰ পাছ ফালে যে এদল সৈন্য আক্ৰমণ কৰিবলৈ লুকাই
আছিল, সেই বিষয়ে তেওঁ নাজানিলে। ১৫ পাছত যিহোচূৱা আৰু

আটাই ইস্ৰায়েলী লোক তেওঁলোকৰ আগত নিজকে হাৰি যোৱা যেন
দেখুৱাই মৰুপ্ৰান্তৰ বাটেদি পলাই গ'ল। ১৬ তেতিয়া তেওঁলোকৰ পাছে
পাছে খেদি যাবৰ বাবে নগৰত থকা সকলো লোকক গোট খাবলৈ
মতা হ'ল আৰু তেওঁলোকে যিহোচূৱাৰ পাছে পাছে খেদি লৈ গ'ল, আৰু
এইদৰে তেওঁলোক নগৰৰ পৰা বহু দূৰলৈ আতৰি গ'ল। ১৭ আৰু
ইস্ৰায়েলৰ পাছত খেদি যাওঁতে যাওঁতে অয় আৰু বৈৎএলত এজন
লোকো অৱশিষ্ট নাথাকিল৷ তেওঁলোকে নগৰৰ দুৱাৰ মুকলিকৈ এৰি
থৈ, সকলোৱে ইস্ৰায়েলৰ পাছত খেদি গ'ল। ১৮ তেতিয়া যিহোৱাই
যিহোচূৱাক ক'লে, "তোমাৰ হাতত থকা যাঠীপাত অয়ৰ ফাললৈ দাঙা;
কিয়নো সেই নগৰ মই তোমাৰ হাতত দিম।" তেতিয়া যিহোচূৱাই
নিজৰ হাতত থকা যাঠীপাত নগৰৰ ফাললৈ দাঙিলে। ১৯ তেওঁ হাত
দণ্ডামাত্ৰে লগে লগে আক্ৰমণ কৰিবলৈ লুকাই থকা সৈন্য দলে নিজ
ঠাইৰ পৰা বেগাই ওলাই আহিল আৰু লৰি গৈ নগৰত সোমাল।
তাৰ পাছত তেওঁলোকে নগৰখন আটক কৰি ল'লে আৰু তাত জুই
লগাই দিলে। ২০ পাছত অয়ৰ লোকসকলে পাছফাললৈ ঘূৰি চালে
আৰু নগৰৰ ধোঁৱা আকাশলৈ উঠা দেখিলে৷ তেতিয়া তেওঁলোকে
ইফালে সিফালে কোনোফালে পলাবলৈ একো উপায় নাপালে৷ কাৰণ
মৰুপ্ৰান্তলৈ পলাই যোৱা সৈন্যসকলে তেওঁলোকক খেদি আক্ৰমণ
কৰিলে৷ ২১ অৰ্থাৎ যেতিয়া যিহোচূৱাই আৰু গোটেই ইস্ৰায়েলে
দেখিলে যে, আক্ৰমণ কৰিবলৈ লুকাই থকা সৈন্যদলে নগৰখন আটক
কৰি ল'লে আৰু নগৰৰ ধোঁৱা উঠিছে, তেতিয়া তেওঁলোকে উভতি
ধৰি অয়ৰ লোকসকলক আঘাত কৰিলে। ২২ আৰু ইস্ৰায়েলৰ অন্য
সৈন্যসকলে নগৰৰ পৰা ওলাই আহি তেওঁলোকক আক্ৰমণ কৰিলে৷
এইদৰে অয়ৰ লোকসকল ইস্ৰায়েলৰ সৈন্যসকলৰ মাজত ধৰা পৰিল;
তাতে এফালে এদল আৰু আনফালে এদল আছিল৷ পাছত ইস্ৰায়েলে
তেওঁলোকক এনেকৈ আঘাত কৰিলে যে, তেওঁলোকৰ এজনো অৱশিষ্ট
বা জীয়াই নাথাকিল। ২৩ তেওঁলোকে অয়ৰ ৰজাক জীৱিত অৱস্থাতে
বন্দী কৰিলে, আৰু যিহোচূৱাৰ ওচৰলৈ লৈ আহিল। ২৪ যেতিয়া
ইস্ৰায়েলী লোকসকলে নগৰৰ বাহিৰৰ মৰুভূমিত তেওঁলোকৰ পাছে

পাছে খেদি অহা সকলো অয়-নিবাসীকে বধ কৰি উঠিল, তেতিয়া
অয়-নিবাসী সেই লোকসকল নিঃশেষে পতিত হ'ল আৰু তাৰ পাছত
তেওঁলোক অয় লৈ উভতি আহি তাত থকা লোকসকলকো তৰোৱালেৰে
বধ কৰিলে৷ ২৫ সেইদিনা অয়-নিবাসী সকলো লোক অৰ্থাৎ মহিলা
আৰু পুৰুষ আদি কৰি বাৰ হাজাৰ লোকক বধ কৰা হ'ল৷ ২৬ কিয়নো
অয় নিবাসী লোকসকলক নিঃশেষে বিনষ্ট নকৰালৈকে যিহোচূৱাই
নিজৰ যাঠী দঙা হাত নোকোচালে। ২৭ যিহোচূৱাক আদেশ কৰা
যিহোৱাৰ বাক্য অনুসাৰে ইস্ৰায়েলে কেৱল সেই নগৰৰ পশু আৰু
লুটদ্ৰব্যবোৰ নিজৰ বাবে ল'লে। ২৮ এইদৰে অয়ক যিহোচূৱাই
জুই লগাই পুৰিলে আৰু সেই নগৰক চিৰকলীয়া ধ্বংসাৱশেষৰ স্তূপ
কৰিলে। এইদৰে এই ঠাই আজিলৈকে পৰিত্যক্ত হৈ আছে৷ ২৯ পাছত
তেওঁ অয়ৰ ৰজাক সন্ধিয়ালৈকে গছত ওলোমাই ৰাখিলে৷ আৰু সূৰ্য
মাৰ যোৱা সময়ত, যিহোচূৱাৰ আজ্ঞা অনুসাৰে তেওঁলোকে গছৰ পৰা
শৰটো নমাই নগৰৰ দুৱাৰমুখত পেলালে আৰু তাৰ ওপৰত শিলৰ এক
ডাঙৰ দ'ম কৰিলে; সেই দ'ম আজিলৈকে আছে। ৩০ সেই সময়ত
যিহোচূৱাই এবাল পৰ্ব্বতত ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাৰ উদ্দেশ্য এটা
যজ্ঞবেদী নিৰ্ম্মাণ কৰিলে, ৩১ যিহোৱাৰ দাস মোচিয়ে ইস্ৰায়েলৰ সন্তান
সকলক দিয়া আজ্ঞা, যি দৰে মোচিৰ ব্যৱস্থা-পুস্তকত লিখা আছিল,
সেই আদেশ অনুসাৰে: "যি শিলৰ ওপৰত কোনেও অস্ত্ৰ দঙা নাই,
এনে নকটা শিলৰ যজ্ঞবেদী নিৰ্ম্মাণ কৰিলে।" আৰু তেওঁ তাৰ ওপৰত
যিহোৱাৰ উদ্দেশ্যে হোম-বলি আৰু তেওঁলোকে মঙ্গলাৰ্থক বলি উৎসৰ্গ
কৰিলে। ৩২ সেই ঠাইত তেওঁ ইস্ৰায়েলৰ সন্তান সকলৰ সাক্ষাতেই
সেই শিলবোৰৰ ওপৰত মোচিৰ ব্যৱস্থাৰ এখন নকল লিখিলে। ৩৩
সকলো ইস্ৰায়েলী লোক, তেওঁলোকৰ পৰিচাৰকসকল, বিষয়াসকল
আৰু বিচাৰকৰ্তাসকলকে আদি কৰি সকলো লোকে নিয়ম-চন্দুকৰ
চাৰিওফালে থিয় হ'ল; তেওঁলোকে পুৰোহিত আৰু যিহোৱাৰ নিয়ম-
চন্দুক বহনকাৰী লেবীয়াসকলৰ সন্মুখত থিয় হ'ল। তাতে স্বদেশীয়
আৰু পৰদেশীয় সকলো লোক আছিল। তেওঁলোকৰ আধা অংশ লোক
গৰিজ্জীম পৰ্বতৰ ফালে আৰু আধা অংশ লোক এবাল পৰ্বতৰ ফালে

আছিল। ইস্রায়েলৰ লোকসকল আশীৰ্ব্বাদ প্ৰাপ্ত হ'বৰ বাবে যিহোৱাৰ
দাস মোচিয়ে প্ৰথমে তেওঁলোকক এইদৰে আজ্ঞা দিছিল। ৩৪ তাৰ
পাছত যিহোচূৱাই ব্যৱস্থা-পুস্তকৰ প্ৰতিটো কথা পাঠ কৰি শুনালে।
তেওঁ সকলো আশীৰ্ব্বাদ আৰু অভিশাপ ব্যৱস্থা-পুস্তকত যেনেদৰে লিখা
আছিল, ঠিক তেনেদৰেই পাঠ কৰি শুনালে। ৩৫ ইস্ৰায়েলৰ গোটেই
সমাজৰ আগত, লগত মহিলাসকল, সৰু সৰু লৰা-ছোৱালীসকল আৰু
তেওঁলোকৰ মাজত থকা বিদেশীসকলৰ আগত মোচিয়ে আজ্ঞা কৰা
সেই সকলো বাক্যৰ এটি কথাও যিহোচূৱাই পাঠ নকৰাকৈ নাথাকিল।

**৯** যৰ্দ্দনৰ সিপাৰে থকা ৰজাসকলে, পৰ্ব্বতীয়া অঞ্চলত আৰু নিন্মভূমিত
বসতি কৰা আৰু লিবানোনৰ সন্মুখলৈকে মহাসমুদ্ৰৰ গোটেই পাৰত
বসতি কৰা হিত্তীয়া, ইমোৰীয়া, কনানীয়া, পৰিজ্জীয়া, হিব্বীয়া আৰু
যিবুচীয়াৰ ৰজাসকলে এই কথা শুনি, ২ সকলোৱে একে লগ হৈ
যিহোচূৱা আৰু ইস্ৰায়েলৰ লগত যুদ্ধ কৰিবলৈ গোট খালে। ৩
কিন্তু যিৰীহো আৰু অয়লৈ যিহোচূৱাই কৰা কাৰ্যবোৰৰ কথা যেতিয়া
গিবিয়োনীয়াসকলে শুনিলে, ৪ তেতিয়া তেওঁলোকে চল কৰিলে৷
তেওঁলোকে ৰজাৰ কটকীৰ বেশ ধৰি, নিজ নিজ গাধবোৰৰ ওপৰত
পুৰণি থৈলা আৰু দ্ৰাক্ষাৰস ৰখা পুৰণি ফটা-চিটা আৰু গাঠি দিয়া
ছালৰ মোটবোৰ বোজাই দিলে। ৫ আৰু ভৰিত টাপলি মৰা পুৰণি
জোতা, গাত পুৰণি কাপোৰ পিন্ধিলে আৰু তেওঁলোকে বাটৰ কাৰণে
লোৱা আটাই পিঠা শুকান আৰু ভেঁকুৰা লগা আছিল। ৬ পাছত
তেওঁলোকে গিলগলৰ ছাউনিত থকা যিহোচূৱাৰ ওচৰলৈ গৈ, তেওঁক
আৰু ইস্ৰায়েলৰ লোকসকলক ক'লে, "আমি দূৰ দেশৰ পৰা আহিছোঁ;
এতেকে আপোনালোকে এতিয়া আমাৰে সৈতে এটি নিয়ম স্থিৰ
কৰক।" ৭ তেতিয়া ইস্ৰায়েলৰ লোকসকলে সেই হিব্বীয়াসকলক
ক'লে, "হয়তো আপোনালোক আমাৰ ওচৰতে বাস কৰে৷ সেয়ে হ'লে
আমি আপোনালোকৰ সৈতে কেনেকৈ নিয়ম স্থিৰ কৰিব পাৰোঁ?"
৮ তেওঁলোকে যিহোচূৱাক ক'লে, "আমি আপোনাৰ দাস।" তেতিয়া
যিহোচূৱাই ক'লে, "আপোনালোক কোন? আৰু আপোনালোকে ক'ৰ
পৰা আহিছে?" ৯ তেওঁলোকে তেওঁক ক'লে, "আপোনাৰ ঈশ্বৰ

যিহোৱাৰ নাম শুনি আপোনাৰ দাসবোৰে বহুত দূৰ দেশৰ পৰা
আহিছোঁ৷ কিয়নো তেওঁৰ যশস্যা আৰু মিচৰ দেশত কৰা তেওঁৰ
সকলো কৰ্ম, ১০ আৰু যৰ্দ্দনৰ সিপাৰে থকা ইমোৰীয়া ৰজা দুজনলৈ
অৰ্থাৎ হিচবোনৰ ৰজা চীহোনলৈ আৰু অষ্টাৰোতত থকা বাচানৰ ৰজা
ওগলৈ তেওঁ কৰা সকলো কাৰ্যৰ কথা আমি শুনিলোঁ। ১১ আমাৰ
বৃদ্ধ আৰু দেশ-নিবাসী সকলো লোকে আমাক ক’লে, ‘তোমালোকে
হাতত বাটৰ সমল লোৱা আৰু তেওঁলোকৰে সৈতে সাক্ষাৎ কৰিবলৈ
গৈ, তেওঁলোকক এই কথা কোৱাগৈ, ‘আমি আপোনালোকৰ দাস।
আমাৰে সৈতে এটি নিয়ম স্থিৰ কৰক’। ১২ আমি আপোনালোকৰ
ওচৰলৈ যাত্ৰা কৰিবলৈ ওলোৱাৰ দিনাখন, বাটৰ অৰ্থে আমাৰ
এই পিঠা ঘৰৰ পৰা লওঁতে তপত আছিল, কিন্তু চাওঁক, এতিয়া
এইবোৰ শুকাল আৰু এইবোৰত ভেঁকুৰ ধৰিলে। ১৩ আমি যেতিয়া
এই মোটবোৰত দ্ৰাক্ষাৰস ভৰাইছিলোঁ, তেতিয়া এই মোটবোৰ
নতুন আছিল, কিন্তু চাওঁক, এতিয়া এইবোৰ ফাটিল৷ আমাৰ এই
কাপোৰ আৰু জোতাবোৰ অতি দূৰ বাট ভ্ৰমণ কৰাৰ বাবে পুৰণি
হৈ গ’ল’।” ১৪ তেতিয়া ইস্ৰায়েলী লোকসকলে সকলে নেতৃত্বৰ
বাবে যিহোৱাৰ কি ইচ্ছা, সেই বিষয়ে নুসুধি, তেওঁলোকৰ খোৱা
বস্তু কিছু ল’লে। ১৫ আৰু যিহোচূৱাই তেওঁলোকৰে সৈতে সন্ধি
স্থাপন কৰি তেওঁলোকে যেন জীয়াই থাকে, এনে নিয়ম কৰিলে আৰু
লোক সকলৰ অধ্যক্ষ সকলে তেওঁলোকৰ আগত শপত খালে। ১৬
এইদৰে তেওঁলোকৰে সৈতে নিয়ম স্থাপন কৰাৰ তিনিদিনৰ পাছত,
তেওঁলোক যে তেওঁলোকৰ ওচৰত থকা লোক হয় আৰু তেওঁলোকৰ
মাজতে বাস কৰি আছে, সেই বিষয়ে তেওঁলোকে শুনিবলৈ পালে।
১৭ ইস্ৰায়েলৰ সন্তান সকলে যাত্ৰা কৰি তৃতীয় দিনা তেওঁলোকৰ
নগৰবোৰৰ ওচৰ পালে৷ তেওঁলোকৰ নগৰবোৰৰ নাম গিবিয়োন,
কফীৰা, বেৰোৎ আৰু কিৰিয়ৎ-যিয়াৰীম আছিল। ১৮ ইস্ৰায়েলৰ সন্তান
সকলে তেওঁলোকক বধ নকৰিলে কাৰণ অধ্যক্ষসকলে ইস্ৰায়েলৰ
ঈশ্বৰ যিহোৱাৰ নামেৰে তেওঁলোকৰ আগত শপত খাইছিল। ইস্ৰায়েলী
লোকসকলে অধ্যক্ষসকলৰ অহিতে ওজৰ-আপত্তি কৰিবলৈ ধৰিলে।

১৯ কিন্তু অধ্যক্ষসকলে লোকসকলক ক'লে, "আমি ইস্রায়েলৰ ঈশ্বৰ
যিহোৱাৰ নামেৰে তেওঁলোকৰ সম্বন্ধে শপত খালোঁ; এই কাৰণে
আমি এতিয়া তেওঁলোকৰ অপকাৰ কৰিব নোৱাৰোঁ। ২০ সেইবাবে
আমি তেওঁলোকৰ প্রতি এইদৰে কৰিম: আমাৰ প্রতি হ'বলগীয়া
ক্রোধৰ পৰা আঁতৰি থাকিবলৈ আমি তেওঁলোকক জীয়াই ৰাখিম,
কাৰণ আমি তেওঁলোকৰ আগত শপত খাইছিলো।" ২১ এতেকে
অধ্যক্ষসকলে তেওঁলোকৰ লোকসকলক ক'লে, "তেওঁলোক জীয়াই
থাকক।" তেতিয়া তেওঁলোকক অধ্যক্ষসকলে কোৱা বাক্য অনুসাৰে
গিবিয়োনসকলে ইস্রায়েলী লোকসকলৰ বাবে খৰিকটীয়া আৰু পানী-
যোগান ধৰোঁতা হ'ল। ২২ যিহোচূৱাই তেওঁলোকক মাতি আনি
ক'লে, "তোমালোকে আমাৰ মাজতে থাকিও, 'আমি তোমালোকৰ
পৰা বহু দূৰত থাকো', এইবুলি কৈ কিয় আমাক প্রবঞ্চনা কৰিলা?
২৩ এই কাৰণে তোমালোক অভিশপ্ত থ'লো; তোমালোকে মোৰ
ঈশ্বৰ যিহোৱাৰ গৃহৰ বাবে খৰিকটীয়া আৰু পানী-যোগান ধৰা বন্দী
কামৰ পৰা কেতিয়াও মুক্তি নাপাবা।" ২৪ তেতিয়া তেওঁলোকে
যিহোচূৱাক উত্তৰ দি ক'লে, "কিয়নো এইদৰে তোমালোকৰ দাস
সকলক কোৱা হৈছিল যে, সকলো দেশ তোমালোকক দিবলৈ আৰু
দেশৰ সকলো নিবাসীসকলক তোমালোকৰ আগত ধ্বংস কৰিবলৈ
তোমালোকৰ ঈশ্বৰ যিহোৱাই তেওঁৰ দাস মোচিক আজ্ঞা দিছিল,
সেয়েহে তোমালোকৰ প্রতি অতিশয় ভয় কৰি আমি এই কার্য কৰিলোঁ।
২৫ এতিয়া চাওঁক, আমি আপোনাৰ হাততে আছোঁ৷ আমাৰ প্রতি যি
ভাল আৰু ন্যায় যেন আপোনাৰ বোধ হয়, আপুনি তাকেই কৰক।" ২৬
তাৰ পাছত যিহোচূৱাই গিবিয়নীয়সকলৰ বাবে তাকেই কৰিলে, তেওঁ
ইস্রায়েলৰ সন্তানসকলৰ হাতৰ পৰা গিবিয়নীয়সকলক ৰক্ষা কৰিলে
আৰু তেওঁলোকে সিহঁতক বধ নকৰিলে। ২৭ আৰু যিহোৱাই যি ঠাই
মনোনীত কৰিব, সেই ঠাইত সমাজৰ আৰু যিহোৱাৰ যজ্ঞবেদীৰ বাবে
খৰিকটীয়া আৰু পানী-যোগান ধৰোঁতা হ'বলৈ যিহোচূৱাই সেইদিনা
তেওঁলোকক নিযুক্ত কৰিলে আৰু আজিলৈকে তেওঁলোক সেইদৰেই
আছে।

১০ এইদৰে যিৰূচালেমৰ ৰজা আদোনীচেদকে যেতিয়া শুনিলে যে,
যিহোচূৱাই যেনেকৈ যিৰীহো আৰু তাৰ ৰজালৈ কৰিছিল তেনেকৈ
অয়ক আটক কৰি তাক নিঃশেষে বিনষ্ট কৰিলে, আৰু তেওঁ শুনিবলৈ
পালে যে, গিবিয়োনীয়াসকলে ইস্ৰায়েলী লোকসকলৰ সৈতে সন্ধি
স্থাপন কৰি তেওঁলোকৰ মাজত থকা হ'ল৷ ২ তেতিয়া যিৰূচালেমৰ
সন্তান সকলে অতিশয় ভয় পালে, কিয়নো গিবিয়োন ৰাজধানীৰ নিচিনা
এখন ডাঙৰ নগৰ, অয়তকৈয়ো ডাঙৰ আৰু তাৰ লোকসকল বীৰ পুৰুষ
আছিল৷ ৩ এই হেতুকে যিৰূচালেমৰ ৰজা আদোনীচেদকে হিব্ৰোণৰ
ৰজা হোহমৰ, যৰ্মূতৰ ৰজা পিৰামৰ, লাখীচৰ ৰজা যাফীয়াৰ আৰু
ইগ্লোনৰ ৰজা দবীৰৰ ওচৰলৈ মানুহ পঠিয়াই এই কথা ক'লে, ৪ "আহাঁ,
মোৰ ওচৰলৈ আহাঁ আৰু মোক সহায় কৰা৷ আমি গিবিয়োনীয়া সকলক
আঘাত কৰোঁগৈ, কিয়নো তেওঁলোকে যিহোচূৱা আৰু ইস্ৰায়েলৰ সন্তান
সকলৰে সৈতে সন্ধি পাতিলে।" ৫ তাতে যিৰূচালেমৰ ৰজা, হিব্ৰোণৰ
ৰজা, যৰ্মূতৰ ৰজা, লাখীচৰ ৰজা আৰু ইগ্লোনৰ ৰজা, ইমোৰীয়াসকলৰ
এই পাঁচজন ৰজাই গোট খাই নিজ নিজ সৈন্য সকলক গিবিয়োনলৈ
লগত লৈ গ'ল, আৰু তাৰ সন্মুখত ছাউনি পাতি তেওঁলোকৰ বিৰুদ্ধে
যুদ্ধ কৰিলে। ৬ তেতিয়া গিবিয়োনৰ লোকসকলে গিলগলৰ চাউনিলৈ
আৰু যিহোচূৱাৰ ওচৰলৈ মানুহ পঠিয়াই ক'লে যে, "আপুনি আপোনাৰ
এই বন্দীসকলৰ পৰা হাত নোকোঁচাব৷ আমাৰ ওচৰলৈ বেগাই আহি
আমাক ৰক্ষা কৰক৷ আমাক আহি সহায় কৰক, কিয়নো পৰ্ব্বত-
নিবাসী ইমোৰীয়াসকলৰ সকলো ৰজাই আমাৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ
গোট খালে।" ৭ তেতিয়া যিহোচূৱাই সকলো যুদ্ধাৰু আৰু বলৱান
বীৰপুৰুষ সকলক লগত লৈ, গিলগলৰ পৰা যাত্ৰা কৰিলে। ৮ যিহোৱাই
যিহোচূৱাক ক'লে, "তুমি তেওঁলোকলৈ ভয় নকৰিবা; কিয়নো মই
তেওঁলোকক তোমাৰ হাতত দিলোঁ; তেওঁলোকৰ কোনেও তোমাৰ
আক্ৰমণক ক্ষান্ত কৰিব নোৱাৰিব।" ৯ যিহোচূৱাই গিলগলৰ পৰা ওৰে-
ৰাতি খোজকাঢ়ি গৈ অকস্মাতে তেওঁলোকৰ ওচৰত ওলাল৷ ১০ তেতিয়া
যিহোৱাই ইস্ৰায়েলৰ সাক্ষাতে তেওঁলোকক ব্যাকুল কৰাত ইস্ৰায়েলে
গিবিয়োনত মহা-পৰাক্ৰমেৰে তেওঁলোকক সংহাৰ কৰিলে আৰু বৈৎ-

হোৰোণলৈ উঠি যোৱা বাটেদি তেওঁলোকক খেদি নি, অজেকা আৰু
মক্কেদালৈকে আঘাত কৰিলে। ১১ ইস্রায়েলৰ সন্মুখৰ পৰা পলাই যোৱা
সময়ত তেওঁলোকে যেতিয়া বৈৎ-হোৰোণৰ পৰা নামি যোৱা বাটত
আছিল, তেতিয়া যিহোৱাই আকাশৰ পৰা ডাঙৰ ডাঙৰ শিল বৰষালে
আৰু তাতে তেওঁলোকৰ মৃত্যু হ'ল৷ ইস্ৰায়েলৰ সন্তান সকলে যিমান
মানুহ তৰোৱালেৰে বধ কৰিছিল, তাতকৈয়ো অধিক লোক শিলাবৃষ্টিত
মৰিল। ১২ তেতিয়া যিহোৱাই ইস্রায়েলৰ সন্তান সকলক ইমোৰীয়া
সকলৰ ওপৰত জয়ী হ'বলৈ দিলে৷ সেইদিনা যিহোচূৱাই ইস্রায়েলৰ
সাক্ষাতে যিহোৱাক ক'লে, "হে সূৰ্য, তুমি গিবিয়োনৰ ওপৰত স্থিৰ
হোৱা, আৰু হে চন্দ্ৰ, তুমি অয়ালোনৰ উপত্যকাৰ ওপৰত স্থিৰ হোৱা৷"
১৩ সূৰ্য স্থগিত হ'ব আৰু চন্দ্ৰও ৰৈ থাকিব, যেতিয়ালৈকে সন্তান সকলে
নিজৰ শত্ৰুবোৰক প্ৰতিশোধ নলয়৷ এই কথা জানো যাচেৰ পুস্তকত
লিখা নাই? এইদৰে সূৰ্য আকাশৰ মাজ ঠাইত থিৰে থাকি, প্ৰায় সম্পূৰ্ণ
এক দিন মাৰ যাবলৈ লৰচৰ নকৰিলে৷ ১৪ ইয়াৰ পূৰ্বতে কি পৰৱৰ্তী
কালতো এইদৰে যিহোৱাই মনুষ্যৰ বাক্যলৈ কাণ পতা এনে এটা পুনৰ
নহ'ল; কিয়নো সেইদিনা যিহোৱাই ইস্রায়েলৰ পক্ষে যুদ্ধ কৰিছিল। ১৫
যিহোচূৱাই সকলো ইস্রায়েলী লোকক লগত ল'লে আৰু গিলগলৰ
ছাউনিলৈ উলটি আহিল। ১৬ আৰু সেই পাঁচজন ৰজা পলাই গৈ,
মক্কেদাৰ গুহাত লুকাই থাকিল। ১৭ পাছত কোনো লোকে যিহোচূৱাক
বাতৰি দি ক'লে, "সেই পাঁচজন ৰজাক মক্কেদাৰ গুহাত লুকাই থকা
দেখা গৈছে!" ১৮ তেতিয়া যিহোচূৱাই ক'লে, "তোমালোকে সেই গুহাৰ
মুখত কেতবোৰ ডাঙৰ শিল বগৰাই দি, তেওঁলোকক পহৰা দিবলৈ
তাৰ ওচৰত মানুহ ৰাখাগৈ৷ ১৯ কিন্তু তোমালোকে পলম নকৰিবা৷
শত্ৰুবোৰৰ পাছে পাছে খেদি গৈ তেওঁলোকৰ লোকসকলক পাছফালৰ
পৰা সংহাৰ কৰা৷ তেওঁলোকক নিজ নিজ নগৰত সোমাবলৈ নিদিবা;
কিয়নো তোমালোকৰ ঈশ্বৰ যিহোৱাই তেওঁলোকক তোমালোকৰ
হাতত সমৰ্পণ কৰিলে।" ২০ পাছত যিহোচূৱা আৰু ইস্রায়েলৰ সন্তান
সকলে যেতিয়া মহা-পৰাক্ৰমেৰে তেওঁলোকক নিঃশেষে সংহাৰ কৰিলে
আৰু তেওঁলোকৰ অৱশিষ্ট লোক সমূহ গড়েৰে আবৃত নগৰবোৰত গৈ

যেতিয়া সোমাল, ২১ তেতিয়া সকলো লোক মক্কেদাৰ চাউনিত থকা
যিহোচূৱাৰ ওচৰলৈ শান্তিৰে উলটি আহিল আৰু ইস্ৰায়েলৰ সন্তান
সকলৰ মাজৰ কোনোৱে কাৰো বিৰুদ্ধে একো কবলৈ সাহস নকৰিলে।
২২ পাছত যিহোচূৱাই আজ্ঞা কৰিলে, “বোলে, তোমালোকে সেই গুহাৰ
মুখ মুকলি কৰি, তাত লুকাই থকা সেই পাঁচজন ৰজাক উলিয়াই মোৰ
ওচৰলৈ লৈ আহাঁ।” ২৩ পাছত তেওঁলোকে তেওঁ কোৱাৰ দৰেই কৰিলে৷
তেওঁলোকে এই পাঁচজন ৰজাক অৰ্থাৎ যিৰূচালেমৰ ৰজা, হিব্ৰোণৰ
ৰজা, যৰ্মূতৰ ৰজা, লাখীচৰ ৰজা আৰু ইগ্লোনৰ ৰজাক সেই গুহাৰ
পৰা উলিয়াই আনিলে আৰু তেওঁৰ ওচৰলৈ লৈ আহিল। ২৪ এইদৰে
সেই ৰজা কেইজনক তেওঁৰ ওচৰলৈ লৈ অহাৰ পাছত যিহোচূৱাই
ইস্ৰায়েলৰ পুৰুষসকলক মাতি আনিলে আৰু তেওঁৰ লগত নিজৰ লগত
যোৱা সেনাপতি সকলক আজ্ঞা কৰিলে, “বোলে, তোমালোকে ওচৰলৈ
আহি এই ৰজাসকলৰ ডিঙিত ভৰি দিয়া।” এই হেতুকে তেওঁলোকে
ওচৰলৈ আহি তেওঁলোকৰ ডিঙিত ভৰি দিলে। ২৫ তেতিয়া যিহোচূৱাই
তেওঁলোকক ক’লে, “তোমালোকে ভয় নকৰিবা আৰু ব্যাকুল নহ’বা।
তোমালোক বলৱান আৰু সাহসিয়াল হোৱা। কিয়নো তোমালোকে যি
যি শত্ৰু সকলৰ সৈতে যুদ্ধ কৰিবা, সেই সকলো শত্ৰুকে যিহোৱাই
এইদৰে কৰিব।” ২৬ তেতিয়া যিহোচূৱাই সেই পাঁচজন ৰজাক আঘাত
কৰি বধ কৰিলে আৰু পাঁচডাল কাঠত ওলমাই হ’ল৷ এইদৰে তেওঁলোক
সন্ধ্যালৈকে কাঠত ওলমি থাকিল। ২৭ পাছত সূৰ্য মাৰ যোৱা সময়ত,
লোকসকলে যিহোচূৱাৰ আজ্ঞা অনুসাৰে তেওঁলোকক কাঠৰ ওপৰৰ
পৰা নমাই আনিলে, আৰু তেওঁলোকে লুকাই থকা গুহাতে তেওঁলোকক
নি পেলাই দিলে। তাৰ পাছত সেই গুহাৰ মুখত ডাঙৰ ডাঙৰ শিল দি
হ’ল; সেই ৰজা কেইজন আজিলৈকে সেই ঠাইতে আছে। ২৮ এইদৰে
যিহোচূৱাই সেই দিনাই মক্কেদা দখল কৰি ল’লে আৰু তৰোৱালৰ
ধাৰেৰে সেই ঠাইৰ ৰজা আদি কৰি সকলোকে আঘাত কৰি সকলো
মানুহক নিঃশেষে বিনষ্ট কৰিলে আৰু কাকো অৱশিষ্ট নাৰাখিলে৷
তেওঁ যিৰীহোৰ ৰজালৈ যেনে কৰিছিল, মক্কেদাৰ ৰজালৈকো তেনে
কৰিলে। ২৯ তাৰ পাছত যিহোচূৱাই সকলো ইস্ৰায়েলী লোকক লগত

লৈ মক্কেদাৰ পৰা লিব্‌নালৈ গ'ল, আৰু লিব্‌নাৰ বিৰুদ্ধে যুদ্ধ কৰিলে।
৩০ তাতে যিহোৱাই লিব্‌নাৰ লগতে তাৰ ৰজাক ইস্রায়েলৰ হাতত
দিলে৷ যিহোচূৱাই তাত থকা প্ৰত্যেক জীৱন্ত প্ৰাণী আৰু তাৰ ভিতৰত
থকা সকলো মানুহক আক্ৰমণ কৰি তৰোৱালেৰে আঘাত কৰিলে৷
তেওঁ তাৰ মাজত কোনো প্ৰাণীক জীৱিত নাৰাখিলে৷ যিৰীহোৰ ৰজালৈ
যেনে কৰিছিল, তাৰ ৰজালৈকো তেওঁ তেনে কৰিলে। ৩১ তাৰ পাছত
যিহোচূৱাই সকলো ইস্রায়েলী লোকক লগত লৈ লিব্‌নাৰ পৰা লাখীচলৈ
গ'ল৷ তেওঁ তাৰ কাষতে ছাউনি পাতি তাৰ বিৰুদ্ধে যুদ্ধ কৰিলে। ৩২
তেতিয়া যিহোৱাই লাখীচকো ইস্রায়েলৰ হাতত দিলে৷ যিহোচূৱাই
দ্বিতীয় দিনা সেই ঠাই দখল কৰি ল'লে৷ লিব্‌নালৈ যেনেকুৱা কৰিছিল,
লাখীচলৈও তেওঁ তেনেকুৱাই কৰিলে। তাৰ পাছত সেই ঠাই আৰু তাৰ
মাজত থকা সকলো জীৱিত প্ৰাণীক তৰোৱালেৰে আঘাত কৰিলে।
৩৩ তেতিয়া গেজৰৰ ৰজা হোৰমে লাখীচক সহায় কৰিবলৈ আহিছিল৷
যিহোচূৱাই তাত থকা এজনো প্ৰাণী নিঃশেষ নোহোৱালৈকে, তেওঁক
আৰু তেওঁৰ সৈন্যসকলক আঘাত কৰিলে। ৩৪ তেতিয়া যিহোচূৱাই
সকলো ইস্রায়েলী লোকক লগত লৈ, লাখীচৰ পৰা ইগ্লোনলৈ গ'ল৷
তেওঁলোকে তাৰ কাষতে ছাউনি পাতি তাৰ বিৰুদ্ধে যুদ্ধ কৰিলে৷ ৩৫
সেই একে দিনাই তেওঁলোকে সেই ঠাই দখল কৰি ল'লে৷ যেনেকৈ
লাখীচলৈ কৰিছিল, তেনেকৈ যিহোচূৱাই তৰোৱালেৰে প্ৰত্যেক জীৱিত
প্ৰাণীক আঘাত কৰি নিঃশেষ কৰিলে৷ ৩৬ তাৰ পাছত যিহোচূৱাই
সকলো ইস্রায়েলী লোকক লগত লৈ, ইগ্লোনৰ পৰা হিব্ৰোণলৈ যাত্ৰা
কৰিলে, আৰু সেই ঠাইৰ বিৰুদ্ধে যুদ্ধ কৰিলে। ৩৭ তেওঁলোকে সেই
ঠাই দখল কৰি ল'লে, আৰু তাত থকা প্ৰতি জন লোকৰ লগতে তাৰ
ৰজাতাৰ ৰজা আৰু চাৰিওফালে থকা সৰু সৰু নগৰবোৰত সোমাই
আক্ৰমণ কৰি তৰোৱালেৰে আঘাত কৰিলে৷ যিহোচূৱাই ইগ্লোনৰ প্ৰতি
কৰাৰ দৰেই, তাতো তেওঁলোকে কাকো জীৱিত নাৰাখি প্ৰত্যেক
জীৱন্ত প্ৰাণীক বধ কৰিলে৷ তাক আৰু তাৰ ৰজাক, তাৰ সৰু সৰু
নগৰবোৰ আৰু তাৰ ভিতৰত থকা সকলো মানুহক তৰোৱালেৰে
আঘাত কৰিলে। সেইদৰে কাকো অৱশিষ্ট নাৰাখি তাৰ ভিতৰত

থকা সকলোকে সম্পূৰ্ণৰূপে সংহাৰ কৰিলে। ৩৮ পাছত যিহোচূৱাই
ইস্ৰায়েলৰ সৈন্য সকলক লগত লৈ, দবীৰলৈ ঘূৰি আহিল আৰু তাৰ
বিৰুদ্ধে যুদ্ধ কৰিলে। ৩৯ তেওঁ সেই ঠাই আৰু সেই ঠাইৰ ৰজাক আৰু
তাৰ সৰু সৰু নগৰবোৰ দখল কৰি ল’লে৷ তেওঁলোকে তেওঁলোকক
আৰু তাত থকা সকলো জীৱন্ত প্ৰাণীক সম্পূৰ্ণৰূপে তৰোৱালেৰে
সংহাৰ কৰিলে৷ যিহোচূৱাই কোনো এটা প্ৰাণীকে সেই ঠাইত অৱশিষ্ট
নাৰাখিলে, যেনেকৈ হিব্ৰোণলৈ আৰু লিব্‌না ও তাৰ ৰজালৈ কৰিছিল,
তেনেকৈ ইয়ালৈকো তেওঁ কৰিলে। ৪০ এইদৰে যিহোচূৱাই পৰ্ব্বতীয়া
অঞ্চল, দক্ষিণ অঞ্চল, নিম্ন ভূমি আৰু উপপৰ্ব্বতৰ অঞ্চলসমূহৰ এই
সকলো দেশ জয় কৰিলে৷ সেই অঞ্চলবোৰৰ সকলো ৰজাক আৰু
প্ৰত্যেক জীৱক অৱশিষ্ট নৰখাকৈ বধ কৰিলে। তেওঁ ইস্ৰায়েলৰ ঈশ্বৰ
যিহোৱাৰ আজ্ঞা অনুসাৰে সকলো জীৱন্ত প্ৰাণীক নিঃশেষে বিনষ্ট
কৰিলে। ৪১ এইদৰে যিহোচূৱাই কাদেচ-বৰ্ণেয়াৰ পৰা গাজা আৰু
গিবিয়োনলৈকে, গোচনৰ সকলো দেশ তৰোৱালেৰে আঘাত কৰি
জয় কৰিলে। ৪২ যিহোচূৱাই এই সকলো ৰজাক আৰু তেওঁলোকৰ
দেশবোৰ একে সময়তে দখল কৰি ল’লে, কিয়নো ইস্ৰায়েলৰ ঈশ্বৰ
যিহোৱাই ইস্ৰায়েলৰ পক্ষে যুদ্ধ কৰিছিল। ৪৩ তাৰ পাছত যিহোচূৱাই
সকলো ইস্ৰায়েলী লোকক লগত লৈ গিলগলৰ ছাউনিলৈ উলটি
আহিল।

**১১** যেতিয়া হাচোৰৰ ৰজা যাবীনে ইস্ৰায়েলীসকলৰ বিজয়ৰ কথা
শুনিলে, তেতিয়া তেওঁ এই বিষয়ে মাদোনৰ ৰজা যোবাব, চিম্ৰোনৰ
ৰজা, অক্‌চফৰ ৰজা, ২ আৰু যিসকল ৰজা উত্তৰ অঞ্চলৰ পাৰ্বত্যভূমিত,
যৰ্দ্দন নদীৰ কিন্নেৰতৰ দক্ষিণ উপত্যকা অঞ্চলত, নিম্নভূমি অঞ্চলত,
আৰু পশ্চিম অঞ্চলৰ দোৰৰ উচ্চভূমিত বসতি কৰি আছিল, সেই
সকলো ৰজাৰ ওচৰলৈ সংবাদ পঠিয়ালে। ৩ তেওঁ পূব আৰু পশ্চিমে
থকা কনানীয়া, ইমোৰীয়া, হিত্তীয়া, পৰিজ্জীয়াসকলৰ লগতে পৰ্ব্বতীয়া
অঞ্চল নিবাসী যিবুচীয়া আৰু হৰ্মোণৰ তলত থকা মিস্পা দেশীয়
হিব্বীয়া সকলৰ ওচৰলৈও মানুহ পঠিয়াই এই সংবাদ দিলে। ৪
তেতিয়া তেওঁলোকে সৈন্য-সামন্ত লগত লৈ সমুদ্ৰৰ পাৰৰ বালিৰ

নিচিনা অসংখ্য লোকৰ সৈতে অধিক ঘোঁৰা আৰু ৰথ লৈ ওলাই আহিল।
৫ আৰু এইদৰে সকলো ৰজা একগোট হ'ল আৰু ইস্রায়েলৰ লগত
যুদ্ধ কৰিবলৈ আহি মেৰোম নামেৰে সৰোবৰৰ ওচৰত একেলগে
ছাউনি পাতিলে। ৬ যিহোৱাই যিহোচূৱাক ক'লে, "তুমি তেওঁলোকলৈ
ভয় নকৰিবা; কিয়নো কাইলৈ এনে সময়তে মই ইস্রায়েলৰ আগত
তেওঁলোকৰ সকলোকে বধ কৰি সমৰ্পণ কৰিম৷ তুমি তেওঁলোকৰ
ঘোঁৰাৰ ভৰিৰ সিৰ্ কাটিবা আৰু ৰথবোৰ জুইৰে পুৰি পেলাবা।" ৭
পাছত যিহোচূৱাই সকলো যুজাৰু লোকক লগত লৈ ওলাই আহিল৷
তেওঁলোকৰ বিৰুদ্ধে মেৰোম সৰোবৰৰ ওচৰত আকস্মাতে ওলাই
তেওঁলোকক আক্ৰমণ কৰিলে। ৮ যিহোৱাই শত্ৰুসকলক ইস্রায়েলৰ
হাতত সমৰ্পণ কৰাৰ পাছত তেওঁলোকে তেওঁলোকক তৰোৱালেৰে
আঘাত কৰি বধ কৰিলে আৰু মহাচীদোন ও মিস্ৰফোৎ-ময়িমলৈকে,
আৰু পূব ফালৰ মিস্পাৰ উপত্যকালৈকে তেওঁলোকক খেদি পঠিয়াই
তেওঁলোকক সংহাৰ কৰিলে আৰু তেওঁলোকৰ কোনো এজনকো
অৱশিষ্ট নাৰাখিলে। ৯ যিহোৱাই আজ্ঞা দিয়াৰ দৰেই যিহোচূৱাই
তেওঁলোকৰ প্ৰতি কাৰ্য কৰিলে৷ তেওঁ তেওঁলোকৰ ঘোঁৰাৰ সিৰ্ কাটিলে
আৰু ৰথবোৰ জুইৰে পুৰি পেলালে। ১০ সেই সময়ত যিহোচূৱাই ঘূৰি
আহি, হাচোৰ জয় কৰি ল'লে, আৰু তাৰ ৰজাক তেওঁ তৰোৱালেৰে
বধ কৰিলে৷ কিয়নো হাচোৰ পূৰ্বৰে পৰা সেই সকলো ৰাজ্যৰ মাজত
প্ৰধান আছিল। ১১ তাত বাস কৰা সকলো জীৱিত প্ৰাণীক তেওঁলোকে
তৰোৱালেৰে আক্ৰমণ কৰি নিঃশেষে বিনষ্ট কৰিলে, আৰু বিনষ্ট হ'বলৈ
তেওঁ সেই লোকসকলক নিলগাই ৰাখিলে, গতিকে তাত কোনো এটা
প্ৰাণীও জীৱিত নাথাকিল৷ পাছত তেওঁ হাচোৰ অৰ্থাৎ সেই ঠাই পুৰি
পেলালে। ১২ যিহোচূৱাই সেই ৰজাসকলৰ গোটেই নগৰ দখল কৰিলে৷
তেওঁ আনকি তেওঁলোকৰ সকলো ৰজাক আটক কৰিলে আৰু আক্ৰমণ
কৰি তৰোৱালেৰে বধ কৰিলে৷ যিহোৱাৰ দাস মোচিৰ আজ্ঞা অনুসাৰে
তেওঁলোকক তৰোৱালেৰে বধ কৰি নিঃশেষে বিনষ্ট কৰিলে। ১৩
কিন্তু যি যি নগৰ নিজ নিজ পৰ্ব্বতত সঁজা আছিল, ইস্রায়েলে হাচোৰৰ
বাহিৰে সেইবোৰ পুৰি নেপেলালে; কেৱল এই নগৰখনহে যিহোচূৱাই

পুৰিলে। ১৪ ইস্ৰায়েলৰ সৈন্যসকলে সেই নগৰবোৰৰ লুটদ্ৰব্য আৰু
পশুধনবোৰ নিজৰ নিজৰ বাবে লুট কৰি ল'লে৷ কিন্তু সকলো নিঃশেষে
বিনষ্ট হোৱালৈকে তেওঁ সকলো লোকক তৰোৱালেৰে বধ কৰিলে৷
তেওঁলোকে কোনো লোকক জীয়াই নাৰাখিলে। ১৫ যিহোৱাই নিজৰ
দাস মোচিক যেনে আজ্ঞা দিছিল, মোচিয়েও যিহোচূৱাক তেনে আজ্ঞা
কৰিছিল৷ আৰু যিহোৱাই মোচিক কাৰ্য কৰিবলৈ দিয়া সকলো আদেশৰ
দৰে যিহোচূৱাই কাৰ্য কৰিলে, আৰু এটা কথাও তেওঁ নকৰাকৈ
নাথাকিল। ১৬ এইদৰে যিহোচূৱাই সেই গোটেই দেশ ল'লে, তেওঁ
পৰ্বতীয়া অঞ্চল, সমস্ত নেভেগ, গোচনৰ সমগ্ৰ অঞ্চল, পৰ্বতমালাৰ
পাদদেশ অঞ্চল, যৰ্দ্দন নদীৰ উপত্যকা অঞ্চল, ইস্ৰায়েলৰ পৰ্ব্বতীয়া
অঞ্চল, আৰু নিম্নভূমি অঞ্চল দখল কৰিলে। ১৭ চেয়ীৰলৈ বিস্তৃত হোৱা
হালক পৰ্ব্বতৰ পৰা যিমান দূৰ সম্ভৱ হৰ্মোণ পৰ্বতৰ উত্তৰ ফালে থকা
লিবানোনৰ বাল্‌গাদ উপত্যকালৈ থকা সকলো ৰাজ্যৰ ৰজাক বন্দী
কৰিলে আৰু তেওঁলোকক বধ কৰিলে। সেই ৰজাবোৰক ধৰিলে আৰু
আঘাত কৰি বধ কৰিলে। ১৮ যিহোচূৱাই সেই ৰজাসকলৰে সৈতে
বহু কাল যুদ্ধ কৰি আছিল। ১৯ গিবিয়োন-নিবাসী হিব্বীয়াসকলৰ
বাহিৰে আন কোনো নগৰৰ লোকে ইস্ৰায়েলৰ সন্তান সকলৰে সৈতে
সন্ধি স্থাপন নকৰিলে৷ ইস্ৰায়েলে আনসকলো নগৰৰ সকলোকেই যুদ্ধ
কৰি দখল কৰি ল'লে। ২০ কিয়নো তেওঁলোকক সম্পূৰ্ণৰূপে বিনষ্ট
কৰিবৰ বাবে যিহোৱাই তেওঁলোকৰ হৃদয় কঠিন কৰিছিল; সেই বাবে
তেওঁলোকে আহি ইস্ৰায়েলৰ বিৰুদ্ধে যুদ্ধ কৰিলে৷ যিহোৱাই মোচিক
আজ্ঞা দিয়াৰ দৰে, তেওঁলোকৰ দয়াৰ নিবেদন শুনা নগ'ল; বৰং
তেওঁলোক সম্পূৰ্ণৰূপে উচ্ছন্ন হ'ল৷ ২১ সেই কালত যিহোচূৱাই আহি
পৰ্ব্বতীয়া অঞ্চল, হিব্ৰোণ, দবীৰ, অনাব আৰু যিহূদা তথা ইস্ৰায়েলৰ
আটাই পৰ্ব্বতীয়া অঞ্চলৰ পৰা অনাকীয়া সকলক উচ্ছন্ন কৰিলে৷
যিহোচূৱাই সম্পূৰ্ণৰূপে তেওঁলোকক নিজ নগৰবোৰৰ সৈতে বিনষ্ট
কৰিলে। ২২ ইস্ৰায়েলৰ সন্তান সকলৰ দেশত অনাকীয়া সকলৰ
কোনো অৱশিষ্ট নাথাকিল, কেৱল গাজাত, গাতত আৰু অচ্‌দোদত্‌হে
কোনো অৱশিষ্ট থাকিল। ২৩ এইদৰে যিহোৱাই মোচিক কোৱাৰ দৰেই

সেই সকলো দেশ যিহোচূৱাই দখল কৰি লৈছিল৷ পাছত যিহোচূৱাই
এই দেশবোৰ ইস্ৰায়েলৰ প্ৰত্যেক ফৈদক ভাগ অনুসাৰে অধিকাৰ
কৰিবলৈ দিলে। তেতিয়াৰে পৰা যুদ্ধ আতৰি গ'ল আৰু দেশ সুস্থিৰ
হ'ল।

১২ বৰ্ত্তমান দেশ-সমূহৰ এইসকল ৰজা, যিসকলক ইস্ৰায়েলৰ লোক
সকলে পৰাজয় কৰিছিল৷ ইস্ৰায়েলৰ লোক সকলে সূৰ্য উদয় হোৱা
যৰ্দ্দনৰ পূবদিশে থকা, অৰ্ণোনৰ উপত্যকাৰ পৰা হৰ্মোণ পৰ্ব্বতলৈকে
আৰু পূব ফালে থকা অৰাবা'ৰ গোটেই দেশ অধিকাৰ কৰিলে৷ ২
চীহোন ইমোৰীয়াসকলৰ ৰজা আছিল। তেওঁ হিচবোনত বাস কৰিছিল৷
তেওঁ অৰ্ণোনৰ উপত্যকাৰ দাঁতিত থকা অৰোয়েৰ পৰা আৰু সেই
উপত্যকাৰ মাজত থকা নগৰখনৰ পৰা অম্মোনৰ সন্তান সকলৰ সীমা
যব্বোক নদীলৈকে আধা গিলিয়দ দেশত শাসন কৰিছিল৷ ৩ আৰু পূব
পাৰে কিন্নেৰৎ সাগৰলৈকে আৰু পূব পাৰে বৈৎ-যিচীমোতলৈ যোৱা
বাটত থকা অৰাবা সমুদ্ৰ, অৰাবাত আৰু দক্ষিণে পিচগাৰ চাৰলীয়া
ঠাইবোৰৰ তলত থকা দেশতো শাসন কৰিছিল৷ ৪ ওগ, বাচানৰ
ৰজা আছিল। এওঁ ৰফায়ীয়াসকলৰ অৱশিষ্ট থকা বংশত জন্ম হৈ,
অষ্টাৰোৎ আৰু ইদ্ৰেয়ীত বাস কৰিছিল৷ ৫ তেওঁ হৰ্মোণ পৰ্ব্বতত,
চলখাত, গচুৰীয়া আৰু মাখাথীয়া সকলৰ সীমালৈকে গোটেই বাচান
দেশত আৰু হিচবোনৰ চীহোন ৰজাৰ সীমালৈকে থকা, আধা গিলিয়দ
দেশত শাসন কৰিছিল। ৬ যিহোৱাৰ দাস মোচিয়ে আৰু ইস্ৰায়েলৰ
সন্তান সকলে তেওঁলোকক পৰাজয় কৰিলে আৰু যিহোৱাৰ দাস
মোচিয়ে অধিকাৰৰ অৰ্থে সেই দেশ ৰূবেণীয়া ও গাদীয়াসকলক আৰু
মনচিৰ আধা ফৈদক দিলে। ৭ চেয়ীৰলৈ বিস্তৃত হোৱা যৰ্দ্দনৰ সীপাৰে
পশ্চিম দিশে, লিবানোনৰ উপত্যকাত থকা বাল-গাদৰ পৰা হালক
পৰ্ব্বতলৈকে থকা এই ৰজা সকলক যিহোচূৱা আৰু ইস্ৰায়েলৰ সন্তান
সকলে বধ কৰিছিল৷ যিহোচূৱাই দেশ অধিকাৰৰ অৰ্থে নিজ নিজ ভাগ
অনুসাৰে ইস্ৰায়েলৰ ফৈদক ভগাই দিলে। ৮ ইয়াৰ অন্তৰ্ভুক্ত আছিল,
পৰ্ব্বতীয়া অঞ্চল, নিম্নভূমি অঞ্চল, অৰাবা, পৰ্ব্বতৰ নামনি অঞ্চল,
মৰুপ্ৰান্তীয় অঞ্চল, আৰু নেভেগ। ইয়াতে হিত্তীয়া, ইমোৰীয়া, কনানীয়া,

পৰিজ্জীয়া, হিব্বীয়া, আৰু যিবুচীয়া সকল আছিল। ৯ ৰজাসকলৰ
মাজত আছিল - যিৰীহোৰ ৰজা, বৈৎএলৰ ওচৰত থকা অয়ৰ ৰজা,
১০ যিবূচালেমৰ ৰজা, হিব্ৰোণৰ ৰজা, ১১ যৰ্মূতৰ ৰজা, লাখীচৰ ৰজা,
১২ ইগ্লোনৰ ৰজা, গেজৰৰ ৰজা, ১৩ দবীৰৰ ৰজা, গেদৰৰ ৰজা, ১৪
হৰ্মাৰ ৰজা, অৰাদৰ ৰজা, ১৫ লিব্‌নাৰ ৰজা, অদুল্লমৰ ৰজা, ১৬
মক্কেদাৰ ৰজা, বৈৎএলৰ ৰজা, ১৭ তপ্পুহৰ ৰজা, হেফৰৰ ৰজা, ১৮
অফেকৰ ৰজা, লচাৰোণৰ ৰজা, ১৯ মাদোনৰ ৰজা, হাচোৰৰ ৰজা,
২০ চিম্ৰোণ-মৰোণৰ ৰজা, অক্‌চফৰ ৰজা, ২১ তানকৰ ৰজা, মগিদ্দোৰ
ৰজা, ২২ কেদচৰ ৰজা, কৰ্মিলত থকা যক্‌নীয়ামৰ ৰজা, ২৩ দোৰৰ
ওখ ঠাইবোৰত থকা দোৰৰ ৰজা, গিলগলত থকা গোয়ীমৰ ৰজা ২৪
অাৰু তিৰ্চাৰ ৰজা৷ সৰ্ব্বমুঠ একত্ৰিশ জন ৰজা আছিল৷

**১৩** যেতিয়া যিহোচূৱা বুঢ়া আৰু অতিশয় বৃদ্ধ হ'ল, তেতিয়া যিহোৱাই
তেওঁক ক'লে, "তুমি বুঢ়া আৰু অতিশয় বৃদ্ধ থ'লো, কিন্তু এতিয়াও
অনেক দেশ অধিকাৰ কৰিবলৈ বাকী আছে। ২ এই দেশবোৰ এতিয়াও
অৱশিষ্ট: পলেষ্টীয়াৰ সকলো অঞ্চল আৰু গচুৰীয়াসকলৰ অঞ্চলবোৰ, ৩
মিচৰৰ পূব ফালে থকা চিহোৰৰ পৰা উত্তৰফালে থকা কনানীয়াসকলৰ
অধিকাৰত থোৱা ইক্ৰোণৰ সীমালৈকে; পলেষ্টীয়াসকলৰ সেই
পাঁচজন অধিপতি- ঘচাতীয়া, অচ্‌দোদীয়া, অস্কিলোনীয়া, গাতীয়া
আৰু ইক্ৰোণীয়া - এইটো অব্বীয়াসকলৰ অঞ্চল আছিল৷ ৪ দক্ষিণ
দিশে থকা কনানীয়াসকলৰ গোটেই দেশ আৰু চীদোনীয়াসকলৰ
অধিকাৰত থকা মিয়াৰা, অফেকাৰ পৰা ইমোৰীয়াসকলৰ সীমালৈকে;
৫ গিবলীয়াসকলৰ দেশ, সূৰ্য উদয় হোৱা ফালে থকা গোটেই লিবানোন,
হৰ্মোণ পৰ্ব্বতৰ তলত থকা বাল-গাদৰ পৰা হমাতলৈ৷ ৬ ইয়াৰ
উপৰিও লিবানোনৰ পৰা মিস্ৰফোৎ-ময়িমলৈকে পৰ্ব্বতীয়া অঞ্চলৰ
নিবাসী সকলৰ লগতে আটাই চীদোনীয়াসকল৷ মই তেওঁলোকক
ইস্ৰায়েলৰ বাহিনীসকলৰ আগৰ পৰা দূৰ কৰিম; মই তোমাক আজ্ঞা
দিয়াৰ দৰে, ইস্ৰায়েল উত্তৰাধিকাৰী হ'বলৈ তাৰ ভাগ নিৰ্ধাৰিত
কৰিবৰ অৰ্থে তুমি নিশ্চিত কৰা৷ ৭ উত্তৰাধিকাৰী হ'বলৈ তুমি
অধিকাৰৰ অৰ্থে ন'টা গোষ্ঠীলৈ আৰু মনচিৰ আধা গোষ্ঠীলৈ এই

দেশ ভাগ কৰি দিয়া।”  ৮ বাকী থকা মনছিৰ আধা জন-গোষ্ঠী,
ৰূবেণীয়া আৰু গাদীয়াসকলে যৰ্দ্দনৰ পূব ফালে থকা, মোচিয়ে দিয়াৰ
দৰে নিজ নিজ উত্তৰাধিকাৰ গ্ৰহণ কৰিলে,  ৯ অৰ্ণোনৰ উপত্যকাৰ
কাষত থকা অৰোয়েৰৰ পৰা উপত্যকাৰ মাজত থকা নগৰবোৰ
আৰু দীবোনলৈকে মেদবাৰ গোটেই সমথল;  ১০ হিচবোনত শাসন
কৰা ইমোৰীয়াসকলৰ ৰজা চীহোনৰ সকলো নগৰৰ পৰা অম্মোনৰ
সীমালৈকে;  ১১ গিলিয়দ আৰু গচুৰীয়া আৰু মাখাথীয়াসকলৰ অঞ্চল
আৰু গোটেই হৰ্মোণ পৰ্ব্বত আৰু চলখালৈকে গোটেই বাচান;  ১২
বাচানৰ ৰজা ওগৰ সকলো ৰাজ্য, যি জনে অষ্টাৰোতত আৰু ইদ্ৰেয়ীত
শাসন কৰিছিল ৰফায়ীয়াসকলৰ মাজত এইবোৰেই অৱশিষ্ট আছিল;
কিয়নো মোচিয়ে তেওঁলোকক তৰোৱালেৰে প্ৰহাৰ কৰি দূৰ কৰিছিল।
১৩ কিন্তু ইস্ৰায়েলৰ সন্তান সকলে গচুৰীয়া আৰু মাখাথীয়াসকলক দূৰ
কৰা নাছিল; বৰং গচুৰীয়া আৰু মাখাথীয়াসকলে ইস্ৰায়েলৰ সন্তান
সকলৰ মাজত আজিলৈ বাস কৰি আছে।  ১৪ কেৱল লেবীৰ গোষ্ঠীক
মোচিয়ে উত্তাৰাধিকাৰি হ’বলৈ নিদিলে। যিহোৱাই মোচিক কোৱা বাক্য
অনুসাৰে, “ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাৰ উদ্দেশ্যে দিয়া অগ্নিকৃত উপহাৰ”
তেওঁলোকৰ উত্তৰাধিকাৰী হ’ল।  ১৫ মোচিয়ে বংশানুক্ৰমে ৰূবেণৰ জন-
গোষ্ঠীলৈ উত্তৰাধিকাৰ দিলে।  ১৬ তেওঁলোকৰ সীমা অৰ্ণোন উপত্যকাৰ
কাষত থকা অৰোয়েৰৰ পৰা আৰু উপত্যকাৰ মাজত থকা নগৰৰ
লগতে মেদবাৰ ওচৰত থকা গোটেই মালভূমি৷  ১৭ ৰূবেণে হিচবোন
আৰু মালভূমিত থকা তাৰ সকলো নগৰবোৰ গ্ৰহণ কৰিছিল আৰু তাৰ
লগত দীবোন, বামোৎ-বাল, বৈৎ-বালমিয়োন,  ১৮ যহচ, কদেমোৎ
আৰু মেফাৎ,  ১৯ কিৰিয়াথয়িম, চিবমা, উপত্যকাৰ পৰ্ব্বতটোত থকা
চেৰৎ-চহৰ৷  ২০ ৰূবেণে বৈৎ-পিয়োৰ, পিচগাৰ, চাৱলীয়া ঠাইবোৰৰ
তলত থকা দেশ আৰু বৈৎ-যিচীমোৎ;  ২১ মালভূমিত থকা আন
সকলো নগৰ, হিচবোনত শাসন কৰা ইমোৰীয়াসকলৰ সেই ৰজা
চীহোনৰ সমুদায় ৰাজ্য, যি জনক মোচিয়ে চীহোনত থকা তলতীয়া
মিদিয়নীয়া নেতাসকল- ইবী, ৰেকম, চূৰ, হূৰ আৰু ৰেবাৰৰ সৈতে
পৰাস্ত কৰিছিল৷  ২২ ইস্ৰায়েলৰ সন্তান সকলে যিসকলক বধ কৰিছিল,

সেইবোৰৰ মাজত তেওঁলোকে বিয়োৰৰ পুত্ৰ বিলিয়মকো তৰোৱালেৰে
বধ কৰিলে, এই জন লোকে মঙ্গল চোৱা কাৰ্যৰ নিয়ম মানি চলিছিল৷
২৩ যৰ্দ্দন আৰু তাৰ অঞ্চল ৰূবেণৰ সন্তান সকলৰ সীমা আছিল।
এয়ে ৰূবেনৰ সন্তান সকলৰ উত্তৰাধিকাৰ, যি নগৰ আৰু গাৱঁৰে
সৈতে তেওঁৰ প্ৰত্যেক বংশক দিয়া হৈছিল৷ ২৪ মোচিয়ে গাদৰ জন-
গোষ্ঠীক নিজ বংশানুক্ৰমে দিয়া উত্তৰাধিকাৰ এই: ২৫ তেওঁলোকৰ
সীমা যাজেৰ আৰু গিলিয়দৰ সকলো নগৰ আৰু ৰব্বাৰ পূবে থকা
অৰোয়েৰলৈকে অম্মোনৰ সন্তান সকলৰ আধা দেশ, ২৬ হিচবোনৰ
পৰা ৰমাৎ-মিস্পা আৰু বটোনীমলৈকে আৰু মহনয়িমৰ পৰা দবীৰৰ
সীমালৈকে৷ ২৭ মোচিয়ে উপত্যকাত তেওঁলোকক বৈৎ-হাৰম, বৈৎ-
নিম্ৰা, চুক্কোৎ, চাফোন, হিচবোনৰ ৰজা চীহোনৰ অৱশিষ্ট ৰাজ্য,
যৰ্দ্দনৰ পূব দিশে কিন্নেৰৎ সাগৰৰ কাষলৈকে যৰ্দ্দন আৰু তাৰ অঞ্চল
দান কৰিলে৷ ২৮ এইটোৱেই হৈছে গাদৰ জন-গোষ্ঠীক বংশানুক্ৰমে
দিয়া উত্তৰাধিকাৰ, এইবোৰ নগৰ তেওঁলোকৰ গাৱঁৰে সৈতে আছিল।
২৯ মোচিয়ে মনচিৰ আধা জন-গোষ্ঠীক উত্তৰাধিকাৰী হ'বলৈ দিলে৷
মনচিৰ সন্তান সকলৰ আধা গোষ্ঠীয়ে সেই উত্তৰাধিকাৰ নিজ নিজ
বংশ অনুসাৰে পালে। ৩০ তেওঁলোকৰ সীমা মহনয়িমৰ পৰা সকলো
বাচান, বাচানৰ ৰজা ওগৰ গোটেই ৰাজ্য আৰু বাচানত থকা যায়ীৰৰ
সকলো নগৰ অৰ্থাৎ ষাঠিখন নগৰ; ৩১ গিলিয়দৰ আধা দেশ, অষ্টাৰোৎ
আৰু ইদ্ৰেয়ী নগৰ৷ এই সকলোবোৰ মনচিৰ পুত্ৰ মাখীৰৰ আধা বংশৰ
পৰিয়ালৰ প্ৰত্যেককে দিবলৈ নিৰ্ধাৰিত কৰা হ'ল। ৩২ এইবোৰেই
যিৰীহোৰ পূবফালে থকা যৰ্দ্দনৰ সিপাৰৰ মোৱাবৰ সমথলত মোচিয়ে
লোকসকলক ভগাই দিয়া উত্তৰাধিকাৰ৷ ৩৩ কিন্তু লেবী ফৈদক হ'লে
মোচিয়ে কোনো উত্তৰাধিকাৰ নিদিলে৷ তেওঁলোকক কোৱা নিজ বাক্য
অনুসাৰে ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱায়েই তেওঁলোকৰ উত্তৰাধিকাৰ
হ'ল।

**১৪** ইলিয়াজৰ পুৰোহিত, নুনৰ পুত্ৰ যিহোচূৱা আৰু তেওঁলোকৰ জন-
গোষ্ঠীৰ মুখিয়াল সকলৰ সৈতে পূৰ্ব-পুৰুষসকলৰ পৰিয়ালসমূহৰ মাজত
ভগাই দিয়া কনান দেশৰ এই অঞ্চলসমূহ ইস্ৰায়েলৰ সন্তান সকলে

উত্তৰাধিকাৰ সূত্ৰে পালে৷ ২ উত্তৰাধিকাৰ সূত্ৰে পোৱা অঞ্চলসমূহ,
যিহোৱাই মোচিৰ যোগেদি নিৰ্দ্দেশ দিয়া অনুসাৰে, চিঠি-খেলৰ দ্বাৰাই
সেই ন জন-গোষ্ঠী আৰু আধা জন-গোষ্ঠীক ভাগ বাঁটি দিয়া হৈছিল।
৩ কিয়নো মোচিয়ে যৰ্দ্দনৰ সিপাৰেও দুই জন-গোষ্ঠীক আৰু আধা
জন-গোষ্ঠীক অধিকাৰ কৰিবলৈ দিছিল, কিন্তু লেবীয়াসকলক তেওঁ
একো ভাগ দিয়া নাছিল৷ ৪ যোচেফৰ জন-গোষ্ঠীৰ মাজত প্ৰকৃততে
দুটা জন-গোষ্ঠী আছিল- মনচি আৰু ইফ্ৰয়িম৷ লেবীয়াসকলক দেশৰ
মাজত উত্তৰাধিকাৰৰ একো ভাগ দিয়া নগ'ল, কেৱল বাস কৰিবলৈ
কেইখনমান নিৰ্দ্দিষ্ট নগৰ আৰু তাৰ লগত পশুধনৰ বাবে চৰণীয়া
পথাৰ, সম্পত্তি আদিৰ বাবে ঠাই দিলে। ৫ যিহোৱাই মোচিক যি দৰে
আজ্ঞা দিছিল, সেই অনুসাৰে ইস্ৰায়েলৰ সন্তান সকলে কাৰ্য কৰি দেশ
ভাগ কৰি ল'লে। ৬ সেই সময়ত যিহূদা ফৈদ যিহোচূৱাৰ ওচৰলৈ আহো
বুলি গিলগললৈ আহিছিল৷ তেতিয়া কনিজ্জীয়া যিফুন্নিৰ পুত্ৰ কালেবে
তেওঁক ক'লে, "যিহোৱাই মোৰ আৰু তোমাৰ বিষয়ে কাদেচ-বৰ্ণেয়াত
ঈশ্বৰৰ লোক মোচিক কি কথা কৈছিল, সেই বিষয়ে তুমি জানা। ৭
মোৰ বয়স চল্লিশ বছৰ আছিল, যেতিয়া ঈশ্বৰৰ দাস মোচিয়ে কাদেচ-
বৰ্ণেয়াৰ পৰা দেশৰ চোৰাংচোৱাগিৰি কৰিবৰ বাবে মোক পঠাইছিল৷
তেতিয়া সৰল মনেৰে আৰু মোৰ কৰ্ত্তব্য পালন কৰি সম্বাদ আনি তেওঁক
দিছিলোঁ। ৮ কিন্তু মোৰ লগত যোৱা মোৰ ভাইসকলে লোকসকলক
ভয় লগাই তেওঁলোকৰ হৃদয় পমিয়ালে৷ কিন্তু মই সম্পুৰ্ণৰূপে নিজ
ঈশ্বৰ যিহোৱাৰ ইচ্ছা মতে চলিলোঁ। ৯ সেই দিনাই মোচিয়ে শপত
খাই ক'লে, 'যি ভূমিৰ ওপৰত তুমি ভৰি দিলাগৈ, তুমি আৰু তোমাৰ
সন্তান সকলে চিৰকাললৈকে নিশ্চয়ে সেই ভূমিৰ উত্তৰাধিকাৰী হ'ব;
কিয়নো তুমি সম্পূৰ্ণৰূপে মোৰ ঈশ্বৰ যিহোৱাৰ ইচ্ছামতে চলিলা।' ১০
এতিয়া চাওঁক! যিহোৱাই এই পঞ্চল্লিশ বছৰ বয়সলৈকে মোক জীয়াই
ৰাখিছে আৰু নিজ বাক্য কোৱাৰ দৰে - যি সময়ত ইস্ৰায়েলে মৰুভূমিত
ভ্ৰমি ফুৰিছিল, সেই সময়তে যিহোৱাই মোচিক এই কথা কৈছিল৷
এতিয়া চাওঁক! আজি মোৰ বয়স পঁচাশী বছৰ হ'ল। ১১ মোচিয়ে মোক
যাত্ৰাৰ বাবে পঠোৱা কালত মই যেনে বলৱান আছিলোঁ, এতিয়াও

আছোঁ৷ যুদ্ধৰ অৰ্থে আৰু অহা-যোৱা কৰিবৰ বাবে তেতিয়া মোৰ যেনে
শক্তি আছিল, এতিয়াও আছে। ১২ সেই বাবে মোক এতিয়া এই
পৰ্বতৰ ৰাজ্যখন দিয়ক, এই পৰ্বতৰ বিষয়ে সেই দিনা যিহোৱাই মোক
আশা দিছিল৷ কিয়নো সেই সময়ত অনাকীয়াসকল তাত আছিল আৰু
নগৰবোৰ ডাঙৰ ডাঙৰ গড়েৰে আবৃত৷ সেই দিনা কৈছিলোঁ 'যিহোৱা
মোৰ লগত থাকিব আৰু যিহোৱাৰ বাক্য অনুসাৰে মই তেওঁলোকক
দূৰ কৰিম'। সেই দিনা বোধ কৰোঁ, এই বিষয়ে তুমি শুনিছিলা৷" ১৩
তেতিয়া যিহোচূৱাই যিফুন্নিৰ পুত্ৰ কালেবক আশীৰ্ব্বাদ কৰি তেওঁৰ
উত্তৰাধিকাৰৰ অৰ্থে হিব্ৰোণ দিলে। ১৪ এই কাৰণে হিব্ৰোণ কনিজ্জীয়া
যিফুন্নিৰ পুত্ৰ কালেবৰ উত্তৰাধিকাৰ আজিলৈকে হৈ আছে; কিয়নো
তেওঁ ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাৰ ইচ্ছাত সম্পূৰ্ণৰূপে চলিছিল। ১৫
পূৰ্বে হিব্ৰোণৰ নাম কিৰিয়ৎ-অৰ্ব্ব আছিল; সেই অৰ্ব্ব অনাকীয়াসকলৰ
মাজত এজন মহান লোক আছিল৷ পাছত যুদ্ধ নোহোৱা বাবে দেশ
সুস্থিৰ হ'ল।

**১৫** দক্ষিণ কনানৰ অন্তভাগত ইদোমৰ সীমালৈকে দক্ষিণফালে ছিন
মৰুপ্ৰান্তলৈ নিজ নিজ বংশ অনুসাৰে যিহূদাৰ সন্তান সকলৰ ফৈদৰ
সীমা নিৰূপণ কৰা হ'ল। ২ তেওঁলোকৰ দক্ষিণ সীমা লৱণ-সমুদ্ৰৰ শেষ
অংশৰ পৰা অৰ্থাৎ দক্ষিণ ফাললৈ বাঢ়ি যোৱা উপসাগৰৰ পৰা আৰম্ভ
হ'ল। ৩ অক্ৰব্বীম নামৰ পৰ্ব্বতৰ দক্ষিণফালে উঠি হিষ্ৰোণেদি গৈ,
অদ্দৰলৈ উঠি কৰ্কালৈকে ঘূৰি গ'ল৷ ৪ পাছত অচমোনলৈ গৈ, মিচৰ
দেশৰ জুৰিয়েদি সাগৰত ইয়াৰ সীমা শেষ হ'ল। এয়ে তেওঁলোকৰ
দক্ষিণ সীমা আছিল৷ ৫ যৰ্দ্দনৰ মুখত থকা লবণ সমুদ্ৰটো পূব সীমা
আছিল৷ উত্তৰ ফালৰ সীমা সমুদ্ৰৰ উপসাগৰৰ ভাগৰ পৰা যৰ্দ্দনৰ
মুখলৈ আছিল৷ ৬ এই সীমা বৈৎ-হগ্লালৈ উঠি গৈ বৈৎ-অৰাবাৰ উত্তৰ
ফালে গ'ল৷ পাছত সেই সীমা ৰূবেণৰ সন্তান বোহনৰ শিলটোলৈকে
উঠি গ'ল৷ ৭ পাছত সেই সীমা আখোৰ উপত্যকাৰ পৰা দবীৰলৈ উঠি
গৈ উত্তৰ ফালে ঘূৰি গিলগলৰ দিশে; ইয়াৰ অৱস্থিতি নদীৰ দক্ষিণ
পাৰত থকা অদুম্মীম পৰ্বতৰ বিপৰীতে আছিল৷ পাছত সেই সীমা
অয়িন-চেমচৰ জুৰিৰ কাষে কাষে অয়িন-ৰোগেলত গ'ল। ৮ তাৰ

পাছত সেই সীমা বিন হিন্নোমৰ উপত্যকাইদি উঠি যিবুচী নগৰৰ দক্ষিণ
কাষলৈ অৰ্থাৎ যিৰূচালেমলৈ গ'ল৷ পাছত সেই সীমা পশ্চিম দিশৰ
বিন-হিন্নোমৰ উপত্যকাৰ সন্মুখত থকা আৰু উত্তৰ ফালে ৰফায়ীম
উপত্যকাৰ অন্তভাগত থকা পৰ্ব্বতৰ টিঙলৈকে গ'ল৷ ৯ পাছত এই
সীমা সেই পৰ্ব্বতৰ ওপৰৰ পৰা নেপ্তোহ জলৰ ভুমুকলৈকে বাঢ়ি গৈ
ইফ্ৰোণ পৰ্ব্বতৰ নগৰবোৰত ওলাল৷ পাছত সেই সীমা বালা অৰ্থাৎ
কিৰিয়ৎ-যিয়াৰীমলৈকে ঘূৰি তাতে থিৰ হ'ল৷ ১০ পাছত সেই সীমা
বালাৰ পৰা চেয়ীৰ পৰ্ব্বতলৈকে ঘূৰি, যিয়াৰীম পৰ্ব্বতৰ উত্তৰ ফালে
অৰ্থাৎ কচালোনলৈকে গ'ল আৰু তললৈ নামি আহি বৈৎচেমচ হৈ
তিম্নাৰ কাষেৰে গ'ল৷ ১১ আৰু সেই সীমা ইক্ৰোণৰ উত্তৰ কাষত ওলাল,
পাছত চিক্কৰোণলৈকে থিৰ হৈ বালা পৰ্ব্বতলৈ গৈ যচনিয়েলত ওলাল৷
সেই সীমাৰ অন্ত সমুদ্ৰত আছিল। ১২ পশ্চিম সীমাটো মহাসাগৰ আৰু
ইয়াৰ অঞ্চল আছিল। এয়ে যিহূদা ফৈদৰ সন্তান সকলৰ বংশানুক্ৰমে
থকা চাৰিও ফালৰ সীমা। ১৩ পাছত যিহোচূৱালৈ কৰা যিহোৱাৰ
আজ্ঞা অনুসাৰে, তেওঁ যিহূদাৰ সন্তান সকলৰ মাজত যিফুন্নিৰ পুত্ৰ
কালেবক, নিজ অংশৰ অৰ্থে কিৰিয়ৎ-অৰ্ব্ব অৰ্থাৎ হিব্ৰোণ দিলে৷ সেই
অৰ্ব্ব অনাকৰ পিতৃ আছিল৷ ১৪ কালেবে তাৰ পৰা অনাকৰ বংশৰ
চেচয়, অহিমন আৰু তল্ময় নামেৰে অনাকৰ এই তিনিটা বংশধৰ দূৰ
কৰিলে। ১৫ পাছত তাৰ পৰা তেওঁ দবীৰ-নিবাসীসকলৰ বিৰুদ্ধে উঠিল
পূৰ্বতে দবীৰৰ নাম কিৰিয়ৎ-চেফৰ আছিল৷ ১৬ সেই সময়ত কালেবে
ক'লে, “যি জনে কিৰিয়ৎ-চেফৰ আক্ৰমণ কৰি বন্দী কৰি ল'ব, তেওঁক
মই মোৰ জী অকচাক কন্যা হিচাপে দান কৰিম৷” ১৭ তাতে কালেবৰ
ভায়েক, কনজৰ সন্তান অৎনীয়েলে কিৰিয়ৎ-চেফৰক বন্দী কৰে৷
তেতিয়া কালেবে নিজৰ জীয়েক অকচাক পত্নী হ'বলৈ তেওঁৰে সৈতে
বিয়া দিলে। ১৮ সেই সময়ত এনে ঘটিল যে, অকচাই তাইৰ পিতৃৰ
ওচৰলৈ আহি এখন পথাৰ দিবলৈ তেওঁক অনুৰোধ কৰিলে, আৰু
তাই যেতিয়া গাধৰ পৰা নামি আহিল, তেতিয়া কালেবে তাইক ক'লে,
“তোমাক কি লাগে?” ১৯ তাই উত্তৰ দিলে, “আপুনি মোক এক বিশেষ
দয়া কৰক৷ যিহেতু আপুনি মোক দক্ষিণ অঞ্চলৰ ভূমি দিলে সেইবাবে

জলৰ কিছু ভূমুকো মোক দিয়ক।” তেতিয়া কালেবে ওপৰ অংশত থকা আৰু নিম্ন অংশত থকা জলৰ ভূমুকসমূহ তাইক দিলে। ২০ এয়ে যিহূদা সন্তান সকলৰ নিজ নিজ ফৈদ অনুসাৰে তেওঁলোকৰ সন্তান সকলৰ বংশক উত্তৰাধিকাৰ হিচাপে দিয়া হ'ল। ২১ ইদোমৰ সীমাৰ দক্ষিণ অঞ্চলৰ শেষ সীমাত থকা যিহূদা ফৈদৰ নগৰসমূহ কবচেল, এদৰ, যাগূৰ, ২২ কীনা, দীমোনা, অদাদা, ২৩ কেদচ, হাচোৰ, যিৎনন, ২৪ জীফলম, টেলন, বালোৎ৷ ২৫ হাচোৰ-হদত্তা, কৰিয়োৎ হিষ্ৰোণ অৰ্থাৎ হাচোৰ, ২৬ অমাম, চমা, মোলাদা, ২৭ হচৰ-গদ্দা, হিচ্‌মোন বৈৎ-পেলট, ২৮ হচৰ-চূৱাল, বেৰ-চেবা, বিজিয়োথিয়া৷ ২৯ বালা, ইয়ীম, এচম, ৩০ ইল্টুলদ, কচীল, হৰ্মা, ৩১ চিক্লগ, মদ্‌মন্না, চন্‌চন্না, ৩২ লবায়োৎ, চিল্‌হীম, ঐন আৰু ৰিম্মোন৷ তেওঁলোকৰ গাওঁবোৰ গণনা নকৰি, এইবোৰ সৰ্ব্বমুঠ উনত্ৰিশখন নগৰ৷ ৩৩ পশ্চিম ফালৰ নিম্ন ভুমিত থকা নগৰ বোৰ আছিল ইষ্টায়োল, চৰা, অচ্‌না, ৩৪ জানোহ, অয়িন-গন্নীম, তপ্পুহ, ঐনম, ৩৫ যৰ্মূত, অদুল্লম, চোকো, অজেকা, ৩৬ চাৰয়িম, অদীথয়িম আৰু গদেৰা৷ তেওঁলোকৰ গাওঁবোৰ গণনা নকৰি এইবোৰ সকলো নগৰৰ সংখ্যা আছিল চৌধ্যখন৷ ৩৭ চনান, হদাচা, মিগ্দল-গাদ, ৩৮ দিলিয়ন, মিস্পি, যক্তেল, ৩৯ লাখীচ, বস্কৎ, ইগ্লোন৷ ৪০ কব্বোন, লহমম, কিৎলীচ, ৪১ গদেৰোৎ, বৈৎ-দাগোন, নয়মা আৰু মক্কেদা৷ তেওঁলোকৰ গাওঁবোৰ গণনা নকৰি এই সকলো নগৰৰ মুঠ সংখ্যা আছিল ষোল্লখন৷ ৪২ লিব্‌না, এথৰ, আচন, ৪৩ যিপ্তহ, অস্না, নচীব, ৪৪ কয়ীলা, অকজীব আৰু মাৰেচা৷ গাওঁবোৰ গণনা নকৰি মুঠে ন খন নগৰ আছিল। ৪৫ ইক্ৰোণ, তাৰ উপনগৰ আৰু গাওঁ; ৪৬ ইক্ৰোণৰ পৰা সমুদ্ৰলৈকে অচ্‌দোদৰ ওচৰত থকা সকলো উপনগৰ আৰু সেইবোৰৰ গাওঁ। ৪৭ অচ্‌দোদ, তাৰ উপনগৰ আৰু গাওঁ; গাজা, তাৰ উপনগৰ আৰু গাওঁ। মিচৰ জুৰি আৰু মহা-সমুদ্ৰ আৰু তাৰ সীমালৈকে৷ ৪৮ পৰ্ব্বতীয়া অঞ্চলৰ নগৰ চামীৰ, যত্তীৰ, চোকো, ৪৯ দন্না, কিৰিয়ৎ-চন্না, ৫০ অনাব, ইষ্টিমোৱা, আনীম, ৫১ গোচন, হোলোন আৰু গিলো৷ গাওঁবোৰ গণনা নকৰি এই বোৰ সকলো মুঠে এঘাৰ খন নগৰ৷ ৫২ অৰাব, দুমা, ইচিয়ন, ৫৩ যানীম, বৈৎ-

তপ্পূহ, অফেকা, ৫৪ হুম্‌টা, কিৰিয়ৎ-অৰ্ব্ব অৰ্থাৎ হিব্ৰোণ আৰু চীয়োৰ৷
গাওঁবোৰ গণনা নকৰি এই সকলো নগৰ বোৰৰ সংখ্যা মুঠে ন খন৷
৫৫ মায়োন, কৰ্মিল, জীফ, যুত্তা, ৫৬ যিজ্ৰিয়েল, যক্‌দিয়াম, জানোহ,
৫৭ কয়িন, গিবিয়া আৰু তিম্না৷ গাওঁবোৰ গণনা নকৰি এই সকলো
নগৰৰ মুঠ সংখ্যা হৈছে দহখন৷ ৫৮ হল্‌হূল, বৈৎ-চুৰ, গদোৰ, ৫৯
মাৰৎ, বৈৎ-অনোৎ আৰু ইল্টকোন৷ গাওঁবোৰৰ গণনা নকৰি ইয়াৰ
মুঠে ছখন নগৰ৷ ৬০ কিৰিয়ৎ-বাল অৰ্থাৎ কিৰিয়ৎ-যিয়াৰীম আৰু
ৰব্বা৷ গাওঁবোৰ গণনা নকৰি ইয়াৰ মুঠ দুখন নগৰ৷ ৬১ মৰুপ্ৰান্তত
বৈৎ-অৰাবা, মিদ্দিন, চকাকা, ৬২ নিব্‌চন, লবণ নগৰ আৰু অয়িন-
গদী৷ গাওঁবোৰ গণনা নকৰি ইয়াৰ নগৰৰ মুঠ সংখ্যা হ'ল ছখন৷ ৬৩
কিন্তু যিবুচীয়াসকল যিৰূচালেমৰ নিবাসী আছিল; এওঁলোকক যিহূদা
ফৈদে দূৰলৈ আতৰ কৰি খেদি দিব নোৱাৰিলে। এই যিবুচীয়াসকলে
আজিলৈকে যিহূদা ফৈদৰ সৈতে যিৰূচালেমত বাস কৰি আছে।

**১৬** যোচেফৰ ফৈদক নিৰূপিত কৰা অঞ্চলৰ সীমা, যিৰীহোৰ সন্মুখত
থকা যৰ্দ্দনৰ পৰা পূব দিশে থকা যিৰীহোৰ জুৰিৰে, মৰুপ্ৰান্ত হৈ,
যিৰীহোৰ ওপৰ ভাগেৰে বৈৎএল পৰ্ব্বতীয়া দেশৰ মাজেৰে গ'ল। ২
পাছত এই সীমা বৈৎএলৰ পৰা ওলাই লুজলৈ গ'ল আৰু সেই ঠাই
পাৰ কৰি অৰ্কীয়াসকলৰ অঞ্চল অটাৰোতলৈ গ'ল। ৩ তাৰ পৰা এই
সীমা তললৈ নামি যফ্‌লেটীয়াসকলৰ অঞ্চলৰ পশ্চিমফালে থকা তলৰ
বৈৎ-হোৰোণৰ সীমাৰ পৰা গেজৰলৈ নামি গ'ল; সমুদ্ৰত ইয়াৰ সীমা
শেষ হ'ল। ৪ এইদৰে যোচেফৰ ফৈদ, মনচি আৰু ইফ্ৰয়িমে নিজ নিজ
উত্তৰাধিকাৰ ল'লে। ৫ নিজ নিজ বংশৰ অনুসাৰে ইফ্ৰয়িমৰ ফৈদৰ
সীমা এনে ধৰণৰ আছিল: তেওঁলোকৰ উত্তৰাধিকাৰৰ সীমা পূবফালে
থকা অটৰোৎ-অদ্দৰ পৰা ওপৰ বৈৎ-হোৰোণলৈকে, ৬ আৰু তাৰ পৰা
সাগৰলৈ৷ পাছত সেই সীমা উত্তৰ ফালে থকা মিকমথতৰ পৰা পূব
ফালে ঘূৰি তনাৎ-চীল পাৰ কৰি জানোহৰ পূবফাললৈ গ'ল৷ ৭ পাছত
জানোহৰ পৰা নামি গৈ অটাৰোৎ আৰু নাৰতেদি হৈ, যিৰীহোত পাই,
যৰ্দ্দনত শেষ হ'ল৷ ৮ আৰু সেই সীমা তপ্পুহৰ পৰা পশ্চিমফালে কান্না
জুৰিলৈ গৈ সমুদ্ৰত তাৰ সীমা শেষ হ'ল। নিজ নিজ বংশ অনুসাৰে

ইফ্রয়িম ফৈদৰ সন্তান সকল ইয়াৰ উত্তৰাধিকাৰী হ'ল। ৯ ইয়াৰ বাহিৰে
মনচি ফৈদৰ উত্তৰাধিকাৰৰ সৈতে ইফ্রয়িম ফৈদৰ বাবে নিৰূপিত কৰা
গাওঁবোৰৰ উপৰিও তেওঁলোকৰ নগৰবোৰো একেলগে আছিল। ১০
তেওঁলোকে গেজৰত থকা কনানীয়াসকলক খেদি নপঠিয়ালে; সেয়েহে
তেওঁলোক আজিলৈকে ইফ্রয়িমৰ সন্তান সকলৰ মাজত বাস কৰি
আছে৷ কিন্তু কনানীয়াসকলে তেওঁলোকক সযত্নে কাম কৰি দিবলগীয়া
হৈছিল।

**১৭** এইদৰে মনচি ফৈদলৈ দেশ ভাগ কৰা হ'ল - সেয়াই মাখিৰলৈও,
এওঁ মনচিৰ জেষ্ঠ পুত্ৰ আৰু গিলিয়দৰ পিতৃ আছিল৷ মাখিৰৰ
বংশধৰসকললৈ গিলিয়দ আৰু বাচানৰ অঞ্চলবোৰ ভাগ কৰা হ'ল;
কিয়নো মাখীৰ এজন যুদ্ধাৰু লোক আছিল৷ ২ মনচিৰ আন ফৈদক যি
ভাগ দিয়া হৈছিল, সেয়া তেওঁলোকৰ বংশ অনুসাৰে ভাগ কৰা হ'ল-
অবীয়াচক, হেলক, অস্ৰীয়েল, চেখম, হেফৰ আৰু চমীদা৷ এওঁলোক
মনচিৰ পুত্ৰ আছিল, আৰু মনচি আছিল যোচেফৰ পুত্ৰ। তেওঁলোকক
নিজ নিজ বংশ অনুসাৰে ভাগ দিয়া হৈছিল৷ ৩ চলফাদৰৰ কোনো
পুত্ৰ নাছিল। চলফাদৰ হেফৰৰ পুত্ৰ, হেফৰ গিলিয়দৰ পুত্ৰ, গিলিয়দ
মাখীৰৰ পুত্ৰ, আৰু মাখীৰ মনচিৰ পুত্ৰ আছিল। এওঁৰ কেইজনীমান
জীয়েক আছিল; তেওঁৰ জীয়েকসকলৰ নামবোৰ হ'ল মহলা, নোৱা,
হগ্লা, মিল্কা আৰু তিৰ্চা। ৪ তেওঁলোকে ইলিয়াজৰ পুৰোহিত, নুনৰ
পুত্ৰ যিহোচূৱা আৰু অধ্যক্ষসকলৰ ওচৰলৈ আহি ক'লে, “যিহোৱাই
মোচিক আমাৰ ভাইসকলৰ সৈতে আমাকো উত্তৰাধিকাৰ দিবলৈ
আজ্ঞা কৰিছিল৷” তেতিয়া যিহোৱাৰ আজ্ঞা অনুসাৰে, ইলিয়াজাৰে
তেওঁলোকক তেওঁলোকৰ পিতৃৰ ভাইসকলৰ মাজত উত্তৰাধিকাৰৰ
ভাগ দিলে। ৫ তেতিয়া মনচিক যৰ্দ্দনৰ সিপাৰে থকা গিলিয়দ আৰু
বাচানত দহ ভাগ দিয়া হ'ল; ৬ কিয়নো পুত্ৰ সন্তান সকলৰ সৈতে
মনচিৰ জীয়াৰীসকলকো উত্তৰাধিকাৰ দিয়া হৈছিল; আৰু মনচিৰ আন
ফৈদক গিলিয়দ দেশ দিয়া হ'ল। ৭ মনচিৰ সেই সীমা আচেৰৰ পৰা
মিকমথতলৈকে, যি চিখিমৰ পূব দিশে আছিল; পাছত সেই সীমা
দক্ষিণ দিশ হৈ, অয়িন-তপ্পুহ-নিবাসীসকলৰ ওচৰলৈকে গ'ল। ৮

তপ্পুহ অঞ্চল মনচিৰ অধিকাৰত আছিল যদিও মনচিৰ সীমাত থকা
তপ্পুহ নগৰ ইফ্ৰয়িমৰ ফৈদৰ অধিকাৰত আছিল৷ ৯ সেই সীমা তললৈ
কান্না জুৰিত নামি গ'ল৷ সেই জুৰিৰ দক্ষিণ ফালে মনচিৰ নগৰবোৰৰ
মাজত থকা সেই নগৰবোৰ ইফ্ৰয়িমৰ অধিকাৰত আছিল৷ মনচিৰ
সীমা জুৰিৰ উত্তৰ ফালে আছিল আৰু সমুদ্ৰত শেষ হৈছিল৷ ১০ দক্ষিণ
ফালে থকা অঞ্চল ইফ্ৰয়িমৰ অধীনত আৰু উত্তৰ ফালৰ অঞ্চলটো
মনচিৰ অধীনত আছিল; সমুদ্ৰই তাৰ সীমা আছিল৷ উত্তৰ ফালে
আচেৰত আৰু পূব ফালে ইচাখৰত উপনীত হ'ব পৰা ব্যৱস্থা আছিল।
১১ ইচাখৰত আৰু আচেৰত বৈৎ-চান আৰু তাৰ গাওঁবোৰ, যিব্লিয়ামৰ
সৈতে তাৰ গাওঁবোৰ, দোৰ-নিবাসীসকল আৰু তাৰ গাওঁবোৰ, অয়িন
দোৰ-নিবাসী আৰু তাৰ গাওঁবোৰ, তানক নিবাসী আৰু তাৰ গাওঁবোৰ
আৰু মগিদ্দো নিবাসীসকলৰ সৈতে তাৰ গাওঁবোৰ মনচিৰ অধিকাৰত
আছিল; আৰু তৃতীয় নগৰ আছিল নাফেথ৷ ১২ তথাপিও মনচিৰ ফৈদে
সেই নগৰবোৰক অধিকাৰ কৰিব পৰা নাছিল, কিয়নো কনানীয়া
লোকসকলে সেই ঠাইত তেতিয়াও বাস কৰি আছিল। ১৩ পাছত
ইস্ৰায়েলৰ লোকসকল যেতিয়া পৰাক্ৰমী হৈ উঠিল, তেতিয়া তেওঁলোকে
কনানীয়াসকলক কঠোৰ কাম কৰি দিবলগীয়া লোক হিচাপে বন্দী
কৰিলে, কিন্তু তেওঁলোকক সম্পূৰ্ণৰূপে দূৰ কৰিব নোৱাৰিলে৷ ১৪
তেতিয়া যোচেফৰ বংশই যিহোচূৱাৰ আগত নিবেদন কৰি ক'লে,
"আপুনি কিয় আমাক কেৱল এই ঠাইৰ এভাগ অধিকাৰ কৰিবলৈ
আৰু একাংশৰ উত্তৰাধিকাৰী হ'বলৈ দিলে? যিহেতু আমাৰ সংখ্যাও
বেছি আৰু এই কাললৈকে যিহোৱাই আমাক আশীৰ্ব্বাদ কৰি আহিছে৷"
১৫ তেতিয়া যিহোচূৱাই তেওঁলোকক ক'লে, "আপোনালোকৰ সংখ্যা
যদি বেছি, তেনেহ'লে ওপৰৰ বনাঞ্চললৈ উঠি গৈ, পৰিজ্জীয়া আৰু
ৰফায়ীয়াসকলৰ অঞ্চলটোৰ গছ-গছনি কাটি, নিজৰ বাবে সেই ঠাই
পৰিষ্কাৰ কৰি লওঁক৷ আপোনালোকে এই দৰে কৰক কিয়নো ইফ্ৰয়িম
পৰ্ব্বত আপোনালোকৰ বাবে অতি সৰু৷" ১৬ তাতে যোচেফৰ সন্তান
সকলে ক'লে, "পৰ্ব্বতীয়া দেশটোৱে আমাৰ বাবে যথেষ্ট নহয় আৰু
উপত্যকাত থকা সকলো কনানীয়াসকলৰ আৰু তেওঁলোকৰ সৈতে

বৈৎ-চান আৰু যিজ্ৰিয়েলৰ উপত্যকাত বাস কৰা লোকসকলৰ লোহাৰ
ৰথ আছে।" ১৭ তেতিয়া যিহোচূৱাই যোচেফৰ বংশক, অৰ্থাৎ ইফ্ৰয়িম
আৰু মনচিক ক'লে, "আপোনালোক সংখ্যাত বৃহৎ আৰু অতি শক্তিশালী
লোক। আপোনালোকক দিয়া কেৱল এক ভাগ অঞ্চল যথেষ্ট নহয়। ১৮
পৰ্ব্বতীয়া দেশটোও আপোনালোকৰ হ'ব। যদিও সেই ঠাই বনাঞ্চল,
তথাপি আপোনালোকে সেই ঠাই পৰিষ্কাৰ কৰক আৰু তাৰ দূৰ
সীমালৈ থকা সকলো অঞ্চলৰ অধিকাৰী হওঁক। যদিও কনানীয়াসকলৰ
লোহাৰ ৰথ আছে আৰু তেওঁলোক শক্তিশালী, তথাপি আপোনালোকে
তেওঁলোকক খেদি পঠিয়াই আতৰ কৰিব পাৰিব।"

**১৮** পাছত ইস্ৰায়েলৰ সন্তান সকলৰ সমাজে চীলোত গোট খালে আৰু
সেই ঠাইতে সাক্ষাৎ কৰা তম্বু স্থাপন কৰিলে। আৰু সন্মুখত থকা দেশ
তেওঁলোকে বশীভুত কৰিলে। ২ ইস্ৰায়েলৰ লোকসকলৰ মাজত সেই
সাতোটা ফৈদৰ উত্তৰাধিকাৰ তেতিয়ালৈকে নিৰূপিত হোৱা নাছিল।
৩ যিহোচূৱাই ইস্ৰায়েলৰ লোকসকলক ক'লে, "তোমালোকৰ পুৰ্ব্ব-
পুৰুষসকলৰ ঈশ্বৰ যিহোৱাই তোমালোকক দিয়া দেশত যাবলৈ কিমান
কাল অৱহেলা কৰি থাকিবা?" ৪ প্ৰত্যেক ফৈদৰ পৰা তিনি জনকৈ
ব্যক্তি তোমালোকৰ নিজৰ কাৰণে নিযুক্ত কৰা। মই তেওঁলোকক
পঠিয়াম। তেওঁলোকে গৈ দেশৰ সকলো ঠাইৰ বিষয়ে নিৰীক্ষণ কৰিব।
তেওঁলোকে নিজ নিজ উত্তৰাধিকাৰৰ বিষয়ে বৰ্ণনা কৰি লিখিব আৰু
তাৰ পাছত মোৰ ওচৰলৈ উভতি আহিব। ৫ তেওঁলোকে সেই ঠাই
সাতোটা ভাগ কৰিব। যিহূদা দক্ষিণফালে থকা তেওঁলোকৰ সীমাৰ
ভিতৰত থাকিব আৰু উত্তৰ ফালে আগতে থকাৰ দৰে যোচেফৰ বংশই
নিজৰ সীমাত থাকিব। ৬ এইদৰে তোমালোকে দেশখন সাত অংশ
কৰি, সেই বিষয়ে বৰ্ণনা লিখি মোৰ ওচৰলৈ আনিবা। মই ইয়াত,
আমাৰ ঈশ্বৰ যিহোৱাৰ সাক্ষাতে তোমালোকৰ বাবে চিঠি খেলাম।
৭ তোমালোকৰ মাজত লেবীয়াসকলৰ কোনো ভাগ নাই কিয়নো
যিহোৱাৰ পুৰোহিতৰ পদেই তেওঁলোকৰ উত্তৰাধিকাৰ। গাদ, ৰূবেণ
আৰু মনচিৰ আধা ফৈদে যৰ্দ্দনৰ সিপাৰে নিজ নিজ উত্তৰাধিকাৰ
গ্ৰহণ কৰিলে। ৮ তেতিয়া সেই লোকসকল উঠি তালৈ গ'ল; যিসকল

দেশৰ বৰ্ণনা লিখি আনিবলৈ যোৱা লোক আছিল, সেই লোকসকলক
যিহোচূৱাই এই আজ্ঞা দি ক'লে, "তোমালোকে গৈ দেশৰ উচ্চ আৰু
নিম্ন ভূমি অঞ্চলৰ সকলো ফালে ফুৰি, দেশৰ বৰ্ণনা লিখি মোৰ ওচৰলৈ
উভতি আহিবা৷ মই এই চীলোত, যিহোৱাৰ সাক্ষাতে, তোমালোকৰ
বাবে চিঠি খেলাম।" ৯ তেতিয়া সেই লোক কেইজন গৈ দেশখনৰ
সকলো ঠাই ফুৰি, প্ৰত্যেক নগৰ অনুসাৰে সাতোটা ভাগৰ আৰু প্ৰত্যেক
ভাগৰ নগৰসমূহৰ তালিকা কৰি, নুৰিয়াই ৰখা কাকতত বৰ্ণনা লিখিলে৷
তাৰ পাছত তেওঁলোকে চীলোৰ ছাউনিত থকা যিহোচূৱাৰ ওচৰলৈ
উভতি আহিল। ১০ তেতিয়া যিহোচূৱাই চীলোত যিহোৱাৰ সাক্ষাতে
তেওঁলোকৰ অৰ্থে চিঠি খেলালে৷ এইদৰে যিহোচূৱাই সেই ঠাইতে
ইস্ৰায়েলৰ লোকসকলৰ ভাগ অনুসাৰে দেশখন ভাগ কৰি তেওঁলোকক
দিলে। ১১ নিজ নিজ বংশ অনুসাৰে বিন্যামীনৰ ফৈদক মাটিৰ ভাগ
দিয়া হ'ল৷ তেওঁলোকক ভাগ দিয়া অংশৰ অঞ্চল যিহূদাৰ বংশধৰ
আৰু যোচেফৰ বংশধৰৰ মাজত অৱস্থিত আছিল৷ ১২ তেওঁলোকৰ
উত্তৰ ফালৰ সীমা যৰ্দ্দনত আৰম্ভ হৈছিল৷ তাৰ পৰা সেই সীমা উঠি গৈ
যিৰীহোৰ উত্তৰ ফালে থকা পৰ্বতমালা হৈ পশ্চিম দিশে থকা পৰ্বতৰ
দেশলৈকে হ'ল৷ তাৰ পাছত সেই সীমা বৈৎ-আবনৰ মৰুপ্ৰান্তত উপনীত
হ'ল৷ ১৩ তাৰ পৰা সেই সীমা লুজ অৰ্থাৎ বৈৎএলৰ দক্ষিণ দাঁতিলৈ
গ'ল৷ তাৰ পাছত বৈৎ-হোৰোণৰ দক্ষিণে থকা পৰ্ব্বতেদি অটৰোৎ-
অদ্দৰৰ তললৈ নামি গ'ল। ১৪ বৈৎ-হোৰোণৰ সন্মূখত থকা পৰ্বতৰ
পৰা সেই সীমা পশ্চিম দিশে ঘূৰি যিহূদাৰ গোষ্ঠীৰ নগৰ কিৰিয়ৎ-
বাল অৰ্থাৎ কিৰিয়ৎ-যিয়াৰীমত ইয়াৰ সীমাৰ অন্ত পৰিল; এইদৰে
পশ্চিম সীমা গঠন কৰিলে। ১৫ দক্ষিণ ফালৰ সীমা থিক কিৰিয়ৎ-
যিয়াৰীমৰ অন্তৰ পৰা আৰম্ভ হৈছিল৷ তাৰ পৰা সেই সীমা ইফ্ৰোণ
হৈ নেপ্তোহ নামৰ জলৰ ভুমুকলৈ হ'ল। ১৬ পাছত সেই সীমা বিন
হিন্নোমৰ উপত্যকাৰ সন্মুখে আৰু ৰফায়ীম পৰ্ব্বতৰ উত্তৰ ফালে থকা
পৰ্বতৰ তললৈকে নামি গৈ, হিন্নোমৰ উপত্যকেদি যিবুচিৰ দক্ষিণ
কাষলৈ নামি অয়িন-ৰোগেললৈ গ'ল। ১৭ পাছত উত্তৰ ফালে ঘূৰি,
সেই সীমা অয়িন-চেমচৰ দিশে গলীলোতত ওলাল, যি অদুম্মীমলৈ

উঠি যোৱা পথৰ বিপৰীতে অৱস্থিত আছিল৷ পাছত সেই সীমা বোহনৰ
শিলটোলৈকে নামি গ'ল৷ ১৮ পাছত এই সীমাটো বৈৎ-অৰাবৰ উত্তৰে
গৈ অৰাবালৈ নামি গ'ল; ১৯ সেই সীমা বৈৎ-হগ্লাৰ উত্তৰ দিশে গৈ
যৰ্দ্দনৰ দক্ষিণ মুৰত থকা লৱণ-সমুদ্ৰৰ উত্তৰ উপসাগৰত শেষ হ'ল৷
এয়ে দক্ষিণ ফালে থকা সীমা আছিল৷ ২০ যৰ্দ্দনেই পূবফালে তাৰ
সীমা গঠন কৰিলে। এয়ে আছিল বিন্যামীনৰ ফৈদৰ উত্তৰাধিকাৰ,
এই সীমাৰ চাৰিওফালে থকা ঠাই তেওঁলোকক বংশ অনুসাৰে দিয়া
হ'ল। ২১ নিজ নিজ বংশ অনুসাৰে বিন্যামীনৰ ফৈদৰ নগৰবোৰ
আছিল যিৰীহো, বৈৎ-হগ্লা, এমক-কচিচ, ২২ বৈৎ-অৰাবা, চমাৰয়িম,
বৈৎএল। ২৩ অব্বীম, পাৰা, অফ্ৰা, ২৪ কফৰ-অন্মোনী, অফনী আৰু
গেবা৷ এই বাৰখন তেওঁলোকৰ নগৰ আছিল, তেওঁলোকৰ গাওঁবোৰ
গণনা কৰা হোৱা নাছিল। ২৫ তাৰ ওপৰিও আন নগৰবোৰ হ'ল, যেনে
- গিবিয়োন, ৰামা, বেৰোৎ, ২৬ মিস্পী, কফীৰা, মোচা, ২৭ ৰেকম,
যিৰ্পেল, তৰলা, ২৮ চেলা, এলফ আৰু যিবুচী অৰ্থাৎ যিৰূচালেম,
গিবিয়ৎ আৰু কিৰিয়ৎ৷ এই চৌধ্যখন তেওঁলোকৰ নগৰ আছিল,
তেওঁলোকৰ গাওঁবোৰ গণনা কৰা হোৱা নাছিল। এই অঞ্চলবোৰত
বিন্যামীনৰ নিজ নিজ বংশ অনুসাৰে উত্তৰাধিকাৰ আছিল৷

**১৯** দ্বিতীয়বাৰ চিঠি খেলাতে চিমিয়োনৰ নামত নিৰ্ধাৰিত হ'ল
আৰু তেওঁলোকৰ প্ৰত্যেক বংশক নিজ নিজ অংশৰ ভাগ দিয়া হ'ল৷
তেওঁলোকৰ উত্তৰাধিকাৰ যিহূদাৰ ফৈদৰ উত্তৰাধিকাৰৰ মাজত
আছিল। ২ তেওঁলোকৰ উত্তৰাধিকাৰৰ মাজত আছিল বেৰ-চেবা,
চেবা, মোলাদা, ৩ হচৰ-চূৱাল, বালা এচম, ৪ ইল্টুলদ, বথূল আৰু হৰ্মা৷
৫ তাৰ ওপৰিও চিমিয়োনৰ আছিল, চিক্লগ, বৈৎ-মৰ্কাবোৎ, হচৰ-চুচা,
৬ বৈৎ-লবায়োৎ আৰু চাৰূহন৷ এই তেৰখন নগৰ আছিল তেওঁলোকৰ
গাওঁবোৰ গণনা কৰা হোৱা নাছিল৷ ৭ চিমিয়োনৰ পুনৰ ঐন, ৰিম্মোন,
এথৰ আৰু আচন; এই চাৰিখন নগৰ আছিল, গাওঁবোৰ গণনা কৰা
হোৱা নাছিল৷ ৮ এই গাওঁবোৰ নগৰৰ চাৰিওফালে নগৰবোৰৰ
সৈতে একেলগে বলাৎ-বেৰ অৰ্থাৎ দক্ষিণ অঞ্চলৰ ৰামালৈকে আছিল৷
এয়েই আছিল চিমিয়োনৰ ফৈদৰ নিজ নিজ বংশ অনুসাৰে দিয়া

উত্তৰাধিকাৰ। ৯ এয়ে আছিল চিমিয়োনৰ ফৈদক দিয়া উত্তৰাধিকাৰ৷
ই যিহূদা বংশৰ অঞ্চলৰ পৰা আৰম্ভ হৈছিল, কিয়নো যিহূদা ফৈদক
দিয়া অংশ তেওঁলোকৰ প্ৰয়োজনতকৈ অধিক আছিল৷ চিমিয়োনৰ
ফৈদে তেওঁলোকৰ উত্তৰাধিকাৰ যিহূদাৰ উত্তৰাধিকাৰৰ মাজৰ পৰা
ভাগ পাইছিল। ১০ তৃতীয়বাৰ চিঠি খেলাওঁতে নিজ নিজ বংশ অনুসাৰে
জবূলূনৰ ফৈদৰ নামত উঠিল। তেওঁলোকৰ উত্তৰাধিকাৰৰ সীমা
চাৰীদৰ পৰা আৰম্ভণ হ'ল৷ ১১ তেওঁলোকৰ সীমা পশ্চিমফালে উঠি
মৰলালৈকে গৈ, দাব্বেচতত লাগিল; তাৰ পাছত ই বাঢ়ি গৈ যক্নীয়ামৰ
সন্মুখত থকা জুৰিত লাগিলগৈ। ১২ আৰু সেই সীমা চাৰীদৰ পৰা পুব
ফাললৈ ঘূৰি, কিশ্লোৎ-তাবোৰৰ সীমালৈকে গ'ল৷ তাৰ পৰা দাবৰতত
ওলাই যাফীয়ালৈকো উঠি গ'ল৷ ১৩ সেই ঠাইৰ পৰা পূব ফাল হৈ গৎ-
হেফৰ আৰু এৎ-কাচিনেদি গৈ, নয়ালৈকে বিস্তৃত হোৱা ৰিম্মোনলৈ গ'ল৷
১৪ আৰু সেই সীমাই উত্তৰ ফালে ঘূৰি হন্নাথোনলৈকে গ'ল আৰু যিপ্তহ-
এল উপত্যকাত তাৰ অন্ত হ'ল৷ ১৫ কটৎ, নহলাল, চিম্ৰোণ, যিদালা,
আৰু বৈৎলেহেম, গাৱেঁৰে সৈতে বাৰখন নগৰ এই অঞ্চলটোত অন্তৰ্ভুক্ত
আছিল৷ তাত বাৰখন নগৰ আছিল৷ তেওঁলোকৰ গাওঁবোৰ গণনা কৰা
হোৱা নাছিল৷ ১৬ এইটোৱেই আছিল জবূলূন ফৈদৰ উত্তৰাধিকাৰ;
এই নগৰবোৰ তেওঁলোকৰ গাৱেঁৰে সৈতে অন্তৰ্ভুক্ত আছিল। ১৭
পাছত আকৌ চতুৰ্থবাৰ চিঠি খেলাওঁতে, ইচাখৰৰ নামত উঠিল আৰু
তেওঁলোকৰ বংশ অনুসাৰে ইয়াক দিয়া হ'ল। ১৮ তেওঁলোকৰ সীমা
যিজ্ৰিয়েল, মচুল্লোৎ, চুনেম, ১৯ হফাৰয়িম, চিয়োন, অনহৰৎ, ২০
ৰব্বীৎ কিচিয়োন, এবচ, ২১ ৰেমৎ, অয়ীন-গন্নীম, এয়িন-হদ্দা আৰু
বৈৎ-পচেচলৈ হ'ল৷ ২২ তেওঁলোকৰ সীমাবোৰ, চহচিমা আৰু বৈৎ-
চেমচ'তটো লাগিল আৰু তেওঁলোকৰ সীমাৰ অন্ত যৰ্দ্দনত পৰিল৷
তাত ষোল্লখন নগৰ আছিল, তেওঁলোকৰ গাওঁসমূহ গণনা কৰা হোৱা
নাছিল। ২৩ এইবোৰেই আছিল ইচাখৰৰ বংশক দিয়া উত্তৰাধিকাৰ;
তেওঁলোকৰ এই অঞ্চল নগৰবোৰৰ সৈতে তেওঁলোকৰ গাৱঁৰ লগত
অন্তৰ্ভুক্ত আছিল৷ ২৪ পঞ্চমবাৰ চিঠি খেলাওঁতে, আচেৰৰ ফৈদৰ নামত
উঠিল আৰু নিজ নিজ বংশ অনুসাৰে তেওঁলোকক দিয়া হ'ল। ২৫

তেওঁলোকৰ সীমা হিল্কৎ, হলি, বেটন, অক্‌চফ, ২৬ অল্লম্মেক, অমাদ
আৰু মিচাল আছিল৷ সেই সীমা পশ্চিম ফালে কৰ্মিল আৰু চিহোৰ
লিব্‌নাতলৈ বিস্তৃত্ব হ'ল। ২৭ পাছত সেই সীমা পূব দিশে ঘূৰি বৈৎ-
দাগোনলৈ গ'ল আৰু বৈৎ-এমকৰ ও নিয়েলৰ উত্তৰ ফালে জবূলূন আৰু
যিপ্তহ-এল উপত্যকাত লাগি উত্তৰত থকা কাবূলৰ দিশে গ'ল। ২৮
পাছত এই সীমা এব্ৰোণ, ৰহোব, হম্মোণ, কান্না আৰু মহাচীদোনলৈকে
ওলাই গ'ল৷ ২৯ পাছত সেই সীমা ঘূৰি ৰামালৈ গ'ল আৰু গড়েৰে
আবৃত থকা তূৰ নগৰলৈ গ'ল৷ পাছত আকৌ ঘূৰি হোচালৈ গৈ তাৰ
অন্ত অকজীব অঞ্চলৰ সমুদ্ৰত পৰিল; ৩০ উম্মা, অফেক আৰু ৰহোব৷
তাত বাইশখন নগৰ আছিল। তেওঁলোকৰ গাওঁবোৰ গণনা কৰা
হোৱা নাছিল৷ ৩১ এইটোৱেই আছিল আচেৰৰ ফৈদৰ উত্তৰাধিকাৰ,
যি নগৰবোৰ গাৱেঁৰে সৈতে তেওঁলোকৰ বংশক দিয়া হৈছিল৷ ৩২
ষষ্ঠবাৰ চিঠি খেলাওঁতে, নপ্তালীৰ ফৈদৰ নামত উঠিল আৰু এইবোৰ
তেওঁলোকৰ বংশক দিয়া হৈছিল৷ ৩৩ তেওঁলোকৰ সীমা হেলফৰ
পৰা, চনন্নীমৰ ওচৰত থকা এলোন গছৰ পৰা, অদামি-ৰেকব আৰু
যবনীয়েলৰ পৰা লুক্কমলৈ, এইদৰে যৰ্দ্দনত তাৰ অন্ত পৰিল৷ ৩৪ আৰু
সেই সীমা পশ্চিমফাললৈ ঘূৰি অজোনৎতাবোৰলৈকে গ'ল আৰু তাৰ
পৰা হুক্কোকলৈ গৈ দক্ষিণফালে জবূলূনৰ লগ লাগিল আৰু পশ্চিম ফালে
থকা আচেৰত উপনীত হৈ পূৱফালে যিহূদাত যৰ্দ্দনৰ ওচৰত লাগিল।
৩৫ গড়েৰে আবৃত নগৰবোৰ চিদ্দীম, চেৰ, হম্মৎ, ৰক্কৎ, কিন্নেৰৎ, ৩৬
অদামা, ৰামা, হাচোৰ, ৩৭ কেদচ, ইদ্ৰেয়ী আৰু অয়িন-হাচোৰ আছিল৷
৩৮ আৰু তাত যিৰোণ, মিগ্‌দল-এল, হৰেম, বৈৎ-অনাৎ আৰু বৈৎ-
চেমচ৷ তাত ঊনৈশখন নগৰ অাছিল। তেওঁলোকৰ গাওঁবোৰ গণনা
কৰা হোৱা নাছিল৷ ৩৯ এয়ে আছিল নপ্তালীৰ ফৈদৰ উত্তৰাধিকাৰ। এই
নগৰবোৰ তেওঁলোকৰ বংশক গাওঁবোৰৰ সৈতে দিয়া হৈছিল। ৪০
সপ্তমবাৰ চিঠি খেলাতে দান ফৈদৰ নাম উঠিল আৰু তেওঁলোকৰ বংশ
অনুসাৰে তাক দিয়া হ'ল৷ ৪১ তেওঁলোকৰ উত্তৰাধিকাৰৰ অঞ্চলত
চৰা, ইষ্টায়োল, ঈৰ-চেমচ, ৪২ চাল্বিন, অয়ালোন আৰু যিৎলা অন্তৰ্ভুক্ত
আছিল৷ ৪৩ আকৌ ইয়াত এলোন, তিম্না, ইক্ৰোণ, ৪৪ ইল্টকি,

গিব্বথোন, বালাৎ, ৪৫ যীহূদ, বনে-বৰক, গৎ-ৰিম্মোণ, ৪৬ মে-যৰ্কোণ,
ৰক্কোন আৰু যাফোৰ সন্মূখত থকা অঞ্চলসমূহ অন্তৰ্ভুক্ত আছিল। ৪৭
কিন্তু দানৰ উত্তৰাধিকাৰৰ সেই অঞ্চল যেতিয়া হেৰুৱালে, তেতিয়া
দানে লেচমৰ বিৰুদ্ধে যুদ্ধ-যাত্ৰা কৰি, তাক হাত কৰি ল'লে৷ তেওঁলোকে
সেই ঠাইৰ সকলোকে তৰোৱালেৰে বধ কৰি, সেই ঠাই অধিকাৰ
কৰি তাত বাস কৰিলে৷ তেওঁলোকে নিজৰ পূৰ্বপুৰুষ দানৰ নামেৰে
লেচমৰ নামো দান ৰাখিলে। ৪৮ এইটোৱেই আছিল দানৰ ফৈদৰ
উত্তৰাধিকাৰ আৰু গাৱঁৰে সৈতে নগৰবোৰ তেওঁলোকক বংশ অনুসাৰে
দিয়া হৈছিল৷ ৪৯ যেতিয়া তেওঁলোকৰ উত্তৰাধিকাৰত থকা নিজ নিজ
সীমা অনুসাৰে দেশ ভগাই দিয়া হ'ল, তেতিয়া ইস্ৰায়েলৰ লোকসকলে
তেওঁলোকৰ মাজত নুনৰ পুত্ৰ যিহোচূৱাক এক উত্তৰাধিকাৰ দিলে৷
৫০ ইফ্ৰয়িম পৰ্বতত থকা তেওঁ খোজা তিম্নৎ-চেৰহ নগৰ যিহোৱাৰ
বাক্য অনুসাৰে তেওঁলোকে তেওঁক দিলে৷ তেওঁ সেই নগৰ পুনৰায়
সাজি তাত বাস কৰিলে। ৫১ ইলিয়াজৰ পুৰোহিত, নুনৰ পুত্ৰ যিহোচূৱা
আৰু ইস্ৰায়েল লোকসকলৰ মাজত পূৰ্ব-পুৰুষ সন্তান সকলৰ ফৈদৰ
মুখীয়ালসকলৰ উত্তৰাধিকাৰবোৰ এই, যিবোৰ চীলোত যিহোৱাৰ
আগত সাক্ষাৎ কৰা তম্বুৰ দুৱাৰমুখত চিঠি খেলাই অধিকাৰৰ অৰ্থে
ভাগ বাঁটি দিয়া হৈছিল। এইদৰে তেওঁলোকে দেশ ভাগ কৰি ল'লে।
২০ তেতিয়া যিহোৱাই যিহোচূৱাক ক'লে, ২ "তুমি ইস্ৰায়েলৰ
লোকসকলক কোৱা, বোলে, 'মই তোমালোকক মোচিৰ দ্বাৰাই যি
কথা কৈছিলোঁ, সেই বিষয়ে আশ্ৰয় লোৱা নগৰবোৰ নিৰূপণ কৰা৷ ৩
তোমালোকে ইয়াকে কৰা, যাতে কোনো এজন লোকে যদি অনিচ্ছাকৃত
ভাৱে আন এজনক হত্যা কৰে, তেতিয়া তেওঁ সেই ঠাইলৈ গৈ ৰক্ষা
পাব পাৰে৷ কোনো এজন লোকে যদি আন কোনো এজন হত্যা কৰা
লোকৰ ৰক্তপাতৰ প্ৰতিশোধ ল'ব বিচাৰে, তেতিয়া এই নগৰবোৰেই
তেওঁলোকৰ বাবে আশ্ৰয় লোৱা ঠাই হ'ব। ৪ সেই জন লোকে সেই
নগৰবোৰৰ মাজৰ কোনো এখন নগৰলৈ পলাই গৈ, নগৰৰ দুৱাৰ
মুখত থিয় দি যেতিয়া তেওঁৰ সেই অভিযোগ সেই নগৰৰ বৃদ্ধ লোক
সকলৰ আগত বুজাই ক'ব; তেতিয়া তেখেতসকলে তেওঁক নগৰলৈ

লৈ গৈ তেওঁক তেখেতসকলৰ মাজত বাস কৰিবলৈ কোনো এটা ঠাই
দিব৷ ৫ আৰু যদি কোনো এজন লোকে হত্যা হোৱা জনৰ ৰক্তপাতৰ
প্ৰতিশোধ লোৱাৰ প্ৰয়াসেৰে আহে, তেতিয়া সেই নৰবধীক নগৰবোৰৰ
লোকসকলে কৰ্তৃপক্ষৰ হাতত শোধাই নিদিব৷ তেওঁলোকে এইদৰে
কৰা উচিত ন'হব, কিয়নো তেওঁ অনিচ্ছাকৃত ভাৱেহে নিজৰ চুবুৰীয়াক
বধ কৰিলে, আগেয়ে তেওঁলৈ কোনো হিংসা ভাব নাছিল। ৬ সেই
কালৰ মহা-পুৰোহিতৰ মৃত্যু নোহোৱা পৰ্য্যন্ত আৰু সেই নৰবধীয়ে
বিচাৰৰ বাবে সমাজৰ সাক্ষাতে থিয় নোহোৱালৈকে, তেওঁ সেই
নগৰতে বাস কৰিব লাগিব৷ তেতিয়া তেওঁ যি নগৰৰ পৰা পলাই
আহিছিল, নিজৰ সেই নগৰ আৰু নিজৰ ঘৰলৈ উলটি যাব পাৰিব'।" ৭
গতিকে ইস্ৰায়েলীয়া সকলে গালীলৰ পৰ্বতীয়া অঞ্চলত থকা নপ্তালীৰ
কেদচ, ইফ্ৰয়িম পৰ্ব্বতত থকা চিখিম আৰু যিহূদা পৰ্ব্বতত থকা
কিৰিয়ৎ-অৰ্ব্ব অৰ্থাৎ হিব্ৰোণ নিৰ্বাচন কৰি ল'লে। ৮ আৰু যৰ্দ্দনৰ
সিপাৰে যিৰীহোৰ পুৱফালে ৰূবেণ ফৈদৰ ভিতৰত থকা সমথলৰ
মৰুপ্ৰান্তত বেচৰ, গাদ ফৈদৰ ভিতৰত থকা গিলিয়দত ৰমোৎ আৰু
মনচি ফৈদৰ ভিতৰৰ বাচানত থকা গোলন নামেৰে ঠাই সমূহ নিৰূপণ
কৰিলে। ৯ কোনোৱে অনিচ্ছাকৃত ভাৱে নৰবধ কৰিলে, সমাজৰ
সাক্ষাতে তেওঁ থিয় নহয় মানে, সেই ঠাইলৈ পলাই গৈ যেন ৰক্তপাতৰ
প্ৰতিশোধ লোৱাজনৰ হাতত মৰা নপৰে, এই কাৰণে ইস্ৰায়েলৰ সন্তান
সকলৰ বাবে আৰু তেওঁলোকৰ মাজত বসতি কৰা বিদেশী লোকৰ
বাবেও, নিৰূপণ কৰা নগৰ এইবোৰ।

**২১** তেতিয়া লেবীয়াসকলৰ পিতৃবংশৰ মুখিয়াল লোকসকলে
ইলিয়াজৰ পুৰোহিত, নুনৰ পুত্ৰ যিহোচূৱা আৰু ইস্ৰায়েলৰ সন্তান
সকলৰ ফৈদৰ পিতৃ-বংশৰ পৰিয়াল সমূহৰ লোকসকলৰ ওচৰলৈ
আহিল৷ ২ আৰু কনান দেশত থকা চীলোত তেওঁলোকক ক'লে,
"আমি থাকিবৰ অৰ্থে নগৰ আৰু পশুবোৰ চৰাবৰ বাবে তাৰ চৰণীয়া
ঠাই দিয়াৰ আজ্ঞা যিহোৱাই মোচিৰ দ্বাৰাই তোমালোকক দিছিল।"
৩ তাতে যিহোৱাৰ আজ্ঞা অনুসাৰে ইস্ৰায়েলৰ সন্তান সকলে নিজ
নিজ উত্তৰাধিকাৰৰ পৰা লেবীয়াসকলক এই নগৰ আৰু চৰণীয়া

ঠাই সমূহ দিলে। ৪ চিঠি খেলাওঁতে কহাতীয়া বংশৰ নাম উঠিলত:
লেবীয়াসকলৰ মাজৰ হাৰোণ পুৰোহিতৰ সন্তান সকলে চিঠিখেলৰ
দ্বাৰাই যিহূদা ফৈদৰ, চিমিয়োন ফৈদৰ আৰু বিন্যামীন ফৈদৰ পৰা
তেৰ খন নগৰ পালে। ৫ আৰু কহাতৰ অৱশিষ্ট বংশই চিঠি খেলৰ
দ্বাৰাই ইফ্ৰয়িম ফৈদ সমূহৰ পৰা, আচেৰ ফৈদৰ আৰু নপ্তালী ফৈদৰ
পৰা আৰু বাচানত থকা মনচিৰ আধা ফৈদৰ পৰা দহখন নগৰ পালে।
৬ আৰু বংশানুক্ৰমে গেৰ্চোনৰ সন্তান সকলে চিঠি খেলৰ দ্বাৰাই ইচাখৰ
ফৈদৰ আৰু নপ্তালী ফৈদৰ পৰা আৰু বাচানত থকা মনচিৰ আধা
ফৈদৰ পৰা তেৰ খন নগৰ পালে। ৭ আৰু বংশানুক্ৰমে মৰাৰীৰ সন্তান
সকলে নিজ নিজ ফৈদ অনুসাৰে ৰূবেণ ফৈদৰ, গাদ ফৈদৰ আৰু
জবূলূন ফৈদৰ পৰা বাৰখন নগৰ পালে। ৮ এইদৰে মোচিৰ দ্বাৰাই
যিহোৱাই দিয়া আজ্ঞা অনুসাৰে ইস্ৰায়েলৰ সন্তান সকলে চিঠি খেলৰ
দ্বাৰাই লেবীয়া লোকসকলক সেইবোৰ নগৰ আৰু লগত চৰণীয়া
ঠাইবোৰ দিলে। ৯ পাছত তেওঁলোকে যিহূদাৰ সন্তান সকলৰ ফৈদৰ
পৰা আৰু চিমিয়োনৰ সন্তান সকলৰ ফৈদৰ পৰা পোৱা নগৰবোৰৰ
নামে সৈতে উল্লেখ কৰাৰ দৰে নগৰ দিলে৷ ১০ এই নগৰ লেবীৰ
সন্তান কহাতীয়া বংশৰ মাজত থকা হাৰোণৰ বংশধৰ সকলৰ হ'ল,
কিয়নো তেওঁলোকৰ নাম প্ৰথমেই উঠিল। ১১ ইস্ৰায়েলৰ সন্তান সকলে
তেওঁলোকক যিহূদাৰ পৰ্ব্বতীয়া অঞ্চলত থকা চাৰিওফালৰ চৰণীয়া
ঠায়েৰে সৈতে কিৰিয়ৎ-অৰ্ব্ব অৰ্থাৎ হিব্ৰোণ দিলে; সেই অৰ্ব্ব অনাকৰ
পিতৃ আছিল। ১২ কিন্তু সেই নগৰৰ পথাৰসমূহ আৰু তাৰ গাওঁবোৰ
তেওঁলোকে আধিপত্যৰ অৰ্থে যিফুন্নিৰ পুত্ৰ কালেবক দিলে। ১৩
তেওঁলোকে হাৰোণ পুৰোহিতৰ সন্তান সকলক চৰণীয়া ঠায়েৰে সৈতে
নৰ-বধীৰ আশ্ৰয় নগৰ হিব্ৰোণ আৰু চৰণীয়া ঠায়েৰে সৈতে লিব্না, ১৪
চৰণীয়া ঠায়েৰে সৈতে যত্তীৰ, চৰণীয়া ঠায়েৰে সৈতে ইষ্টমোৱা, ১৫
চৰণীয়া ঠায়েৰে সৈতে হোলোন, চৰণীয়া ঠায়েৰে সৈতে দবীৰ, ১৬
চৰণীয়া ঠায়েৰে সৈতে ঐন, চৰণীয়া ঠায়েৰে সৈতে যুত্তা আৰু চৰণীয়া
ঠায়েৰে সৈতে বৈৎচেমচ, সেই দুই ফৈদৰ পৰা এই ন খন নগৰ পালে।
১৭ আৰু বিন্যামীন ফৈদৰ পৰা চৰণীয়া ঠায়েৰে সৈতে গিবিয়োন,

চৰণীয়া ঠায়েৰে সৈতে গেবা, ১৮ চৰণীয়া ঠায়েৰে সৈতে অনাথোৎ আৰু
চৰণীয়া ঠায়েৰে সৈতে অলমোন এই চাৰিখন নগৰ দিলে। ১৯ নিজ
নিজ চৰণীয়া ঠায়েৰে সৈতে সৰ্ব্বমুঠ তেৰখন নগৰ হাৰোণৰ বংশৰ
পুৰোহিতসকলে পালে। ২০ আৰু কহাতৰ অৱশিষ্ট পৰিয়াল অৰ্থাৎ
কহাতৰ পৰিয়াল সমূহ লেবীয়া, ইফ্ৰয়িম ফৈদৰ পৰা চিঠি খেলৰ দ্বাৰাই
নিজ আধিপত্য নগৰ পালে। ২১ ইস্ৰায়েলৰ সন্তান সকলে চৰণীয়া
ঠায়েৰে সৈতে নৰ-বধী অৰ্থাৎ যিকোনো লোকে অনিচ্ছাকৃত ভাৱে বধ
কৰা লোকসকলৰ আশ্ৰয় লোৱা নগৰ ইফ্ৰয়িম পৰ্ব্বতীয়া অঞ্চলত থকা
চিখিম, চৰণীয়া ঠায়েৰে সৈতে গেজৰ আৰু ইয়াৰ চৰণীয়া ঠায়েৰে
সৈতে ২২ কিব্চয়িম আৰু চৰণীয়া ঠায়েৰে সৈতে বৈৎ-হোৰোণ, এই
চাৰিখন নগৰ দিলে। ২৩ আৰু দান ফৈদৰ পৰা চৰণীয়া ঠায়েৰে সৈতে
ইল্টকি, চৰণীয়া ঠায়েৰে সৈতে গিব্বথোন, ২৪ চৰণীয়া ঠায়েৰে সৈতে
অয়ালোন, চৰণীয়া ঠায়েৰে সৈতে গৎ-ৰিম্মোণ, এই চাৰিখন নগৰ
দিলে। ২৫ আৰু মনচিৰ আধা ফৈদৰ পৰা কহাতৰ বংশলৈ, চৰণীয়া
ঠায়েৰে সৈতে তানক আৰু চৰণীয়া ঠায়েৰে সৈতে গৎ-ৰিম্মোণ এই
দুখন নগৰ তেওঁলোকক দিলে। ২৬ কহাতৰ অৱশিষ্ট বংশধৰসকলে
নিজ নিজ চৰণীয়া ঠায়েৰে সৈতে সৰ্ব্বমুঠ দহখন নগৰ পালে। ২৭
অন্য লেবীয়াসকলৰ বংশধৰবোৰৰ মাজৰ গেৰ্চোনৰ সন্তান সকলক
মনচিৰ আধা ফৈদৰ পৰা, চৰণীয়া ঠায়েৰে সৈতে নৰ-বধীৰ আশ্ৰয়
নগৰ বাচানত থকা গোলন আৰু চৰণীয়া ঠায়েৰে সৈতে বেষ্টৰা এই
দুখন নগৰ দিলে। ২৮ গেৰ্চোনৰ বংশধৰ সকললৈ ইচাখৰ ফৈদৰ
পৰা চৰণীয়া ঠায়েৰে সৈতে কিচিয়োন লগতে চৰণীয়া ঠায়েৰে সৈতে
দাবৰৎ, ২৯ চৰণীয়া ঠায়েৰে সৈতে যমুৎ আৰু চৰণীয়া ঠায়েৰে সৈতে
অয়ীন-গন্নীম, এই চাৰিখন নগৰ দিলে। ৩০ আৰু আচেৰ ফৈদৰ পৰা
চৰণীয়া ঠায়েৰে সৈতে মিচাল, চৰণীয়া ঠায়েৰে সৈতে অব্দোন, ৩১
চৰণীয়া ঠায়েৰে সৈতে হিল্কৎ আৰু চৰণীয়া ঠায়েৰে সৈতে ৰহোব, এই
চাৰিখন নগৰ দিলে। ৩২ আৰু নপ্তালী ফৈদৰ পৰা চৰণীয়া ঠায়েৰে
সৈতে নৰ-বধীৰ আশ্ৰয় লোৱা নগৰ গালীলত থকা কেদচ, চৰণীয়া
ঠায়েৰে সৈতে হম্মোৎ-দোৰ আৰু চৰণীয়া ঠায়েৰে সৈতে কতন, এই

তিনিখন নগৰ দিলে। ৩৩ নিজ নিজ বংশানুসাৰে গেৰ্চোনীয়াসকলে
নিজ নিজ চৰণীয়া ঠায়েৰে সৈতে সৰ্ব্বমুঠ তেৰখন নগৰ পালে। ৩৪
পাছত তেওঁলোকে মৰাৰীৰ ফৈদবোৰক অৰ্থাৎ অৱশিষ্ট লেবীয়াৰ্লৈ
জবূলূন জন-গোষ্ঠীৰ পৰা চৰণীয়া ঠায়েৰে সৈতে যক্‌নীয়াম, চৰণীয়া
ঠায়েৰে সৈতে কৰ্তা, ৩৫ চৰণীয়া ঠায়েৰে সৈতে দিম্না আৰু চৰণীয়া
ঠায়েৰে সৈতে নহলাল, এই চাৰিখন নগৰ দিলে। ৩৬ ৰূবেণ ফৈদৰ
পৰা মৰাৰীৰ বংশবোৰলৈ চৰণীয়া ঠায়েৰে সৈতে বেচৰ, চৰণীয়া
ঠায়েৰে সৈতে যহচ, ৩৭ চৰণীয়া ঠায়েৰে সৈতে কদেমোৎ আৰু
চৰণীয়া ঠায়েৰে সৈতে মেফাৎ, এই চাৰিখন নগৰ দিলে। ৩৮ আৰু
গাদ ফৈদৰ পৰা চৰণীয়া ঠায়েৰে সৈতে অনিচ্ছাকৃত ভাৱে নৰ-বধ কৰা
লোকৰ আশ্ৰয় নগৰ গিলিয়দত থকা ৰমোৎ, চৰণীয়া ঠায়েৰে সৈতে
মহনয়িম তেওঁলোকক দিয়া হ'ল৷ ৩৯ মৰাৰীৰ বংশবোৰলৈ চৰণীয়া
ঠায়েৰে সৈতে হিচবোন আৰু চৰণীয়া ঠায়ৰে সৈতে যাজেৰ, মুঠতে
এই চাৰিখন নগৰ দিলে। ৪০ লেবীয়াসকলৰ অৱশিষ্ট ফৈদ অৰ্থাৎ
মৰাৰীৰ নিজ নিজ বংশ অনুসাৰে এইবোৰ নগৰ হ'ল; তেওঁলোকে
চিঠি খেলৰ দ্বাৰাই বাৰ খন নগৰ পালে। ৪১ ইস্ৰায়েলৰ সন্তান সকলৰ
আধিপত্যৰ মাজত থকা লেবীয়াসকলৰ আটাই নগৰ চৰণীয়া ঠায়েৰে
সৈতে সৰ্ব্বমুঠ আঠচল্লিশ খন নগৰ আছিল। ৪২ সেইবোৰৰ প্ৰত্যেক
নগৰৰ চাৰিওকাষে চৰণীয়া ঠাই আছিল৷ সকলো নগৰ সেই দৰেই
আছিল। ৪৩ এইদৰে যিহোৱাই ইস্ৰায়েল লোকৰ পুৰ্বপুৰুষসকলৰ
আগত যি দেশ দিম বুলি শপত খাইছিল, সেই দেশ তেওঁ তেওঁলোকক
দিলে৷ তেওঁলোকে তাক অধিকাৰ কৰি তাৰ মাজত নিবাস কৰিলে। ৪৪
তেতিয়া যিহোৱাই তেওঁলোকৰ পুৰ্বপুৰুষসকলৰ আগত শপত খোৱাৰ
দৰে চাৰিওফালে তেওঁলোকক জিৰণী দিলে৷ তেওঁলোকৰ শত্ৰুসকলৰ
মাজৰ কোনেও তেওঁলোকৰ আগত থিয় হ'ব নোৱাৰিলে৷ যিহোৱাই
তেওঁলোকৰ সকলো শত্ৰুক তেওঁলোকৰ হাতত দিলে। ৪৫ যিহোৱাই
ইস্ৰায়েল বংশলৈ যি যি মঙ্গলৰ বাক্য কৈছিল, তাৰ মাজৰ এটি বাক্যও
নিষ্ফল নহ'ল৷ সকলো সিদ্ধ হ'ল।

২২ সেই কালত যিহোচূৱাই ৰূবেণীয়া ও গাদীয়াসকলক আৰু মনচিৰ
আধা ফৈদক মতাই আনিলে, আৰু ২ তেওঁ তেওঁলোকক ক'লে,
"যিহোৱাৰ দাস মোচিয়ে তোমালোকক যি যি আজ্ঞা দিছিল, সেই আজ্ঞা
তোমালোকে পালন কৰি আহিছা আৰু ময়ো তোমালোকক যি যি আজ্ঞা
কৰিলোঁ, মোৰ সেই সকলো বাক্যলৈ কাণ দিলা। ৩ সেই সকলো দিনৰ
কোনো দিনেই বা আজিলৈকে তোমালোকে নিজ ভাইসকলক ত্যাগ
নকৰিলা, আনকি নিজ ঈশ্বৰ যিহোৱাৰ আজ্ঞা সজাগতাৰে পালন কৰি
আহিছাহঁক। ৪ এতিয়া তোমালোকৰ ঈশ্বৰ যিহোৱাই তোমালোকৰ
ভাইসকলক প্ৰতিজ্ঞা কৰাৰ দৰে, তেওঁলোকক জিৰণী দিলে৷ গতিকে,
এতিয়া তোমালোকে ঘূৰি, নিজ নিজ তম্বুলৈ গৈ, যিহোৱাৰ দাস মোচিয়ে
যৰ্দ্দনৰ সিপাৰে তোমালোকক দিয়া আধিপত্যৰ দেশলৈ যোৱা। ৫
কিন্তু যিহোৱাৰ দাস মোচিয়ে তোমালোকক আদেশ কৰা আজ্ঞা
আৰু বিধানৰ দৰে কাৰ্য কৰিবলৈ, ঈশ্বৰ যিহোৱাক প্ৰেম কৰিবলৈ,
তেওঁৰ সকলো পথত চলিবলৈ, তেওঁৰ আজ্ঞাবোৰ পালন কৰিবলৈ,
তেওঁত আসক্ত হ'বলৈ আৰু সকলো মন ও সকলো প্ৰাণেৰে তেওঁৰ
আৰাধনা কৰিবলৈ যত্নবান হ'বা।" ৬ এইদৰে যিহোচূৱাই তেওঁলোকক
আশীৰ্ব্বাদ কৰি বিদায় দিয়াৰ পাছত, তেওঁলোক নিজ নিজ তম্বুলৈ
গ'ল। ৭ মোচিয়ে মনচিৰ আধা ফৈদক বাচানত দিছিল; কিন্তু তাৰ
আন আধা ফৈদক যিহোচূৱাই যৰ্দ্দনৰ পশ্চিম পাৰে নিজ ভাইসকলৰ
লগত উত্তৰাধিকাৰ দিছিল আৰু নিজ নিজ তম্বুলৈ বিদায় দিয়া সময়ত,
যিহোচূৱাই তেওঁলোকক আশীৰ্ব্বাদ দিলে, ৮ আৰু তেওঁলোকক ক'লে,
"তোমালোকে বহু ধন, জাকে জাকে পশু আৰু সোণ আৰু ৰূপে সৈতে
আৰু পিতল আৰু লো আৰু বহুত কাপোৰ আদি সম্পত্তি লগত লৈ, নিজ
নিজ তম্বুলৈ উলটি যোৱা৷ শত্ৰুৰ পৰা লুট কৰি অনা বস্তুবোৰ নিজ
ভাইসকলেৰে সৈতে ভাগ বাটি লোৱাগৈ।" ৯ তেতিয়া ৰূবেণ ও গাদৰ
বংশধৰ আৰু মনচিৰ আধা ফৈদে কনান দেশৰ চীলোত থকা ইস্ৰায়েল
লোকসকলৰ পৰা বিদায় লৈ নিজ ঠাইলৈ গ'ল৷ তেওঁলোক মোচিৰ
দ্বাৰাই কোৱা যিহোৱাৰ আজ্ঞা অনুসাৰে পোৱা নিজৰ আধিপত্য লৈ
গিলিয়দ দেশলৈ উভতি যাব ধৰিলে। ১০ পাছত তেওঁলোক কনান

দেশত থকা যৰ্দ্দন নদীৰ অঞ্চল পাওঁতে ৰূবেণ ও গাদৰ সন্তান সকলে
আৰু মনচিৰ আধা ফৈদে সেই ঠাইতে যৰ্দ্দনৰ দাঁতিত এটা যজ্ঞবেদী
নিৰ্ম্মাণ কৰিলে; সেই বেদী দেখিবলৈ বৰ ডাঙৰ আৰু প্ৰসিদ্ধ আছিল।
১১ এতিয়া ইস্ৰায়েলৰ সন্তান সকলে এই বিষয়ে শুনি ক'লে যে,
"চোৱা! ৰূবেণ ও গাদৰ সন্তান সকলে আৰু মনচিৰ আধা ফৈদে কনান
দেশৰ সন্মুখত যৰ্দ্দনৰ অঞ্চলত ইস্ৰায়েলৰ লোকসকলে অধিকাৰ কৰা
দাঁতিত এটা যজ্ঞবেদী নিৰ্ম্মাণ কৰিলে।" ১২ ইস্ৰায়েলৰ লোকসকলে
সেই কথা শুনাৰ পাছত, ইস্ৰায়েলৰ লোকসকলৰ গোটেই সমাজে
তেওঁলোকৰ বিৰুদ্ধে যুদ্ধযাত্ৰা কৰিবৰ বাবে চীলোত গোট খালে।
১৩ পাছত ইস্ৰায়েলৰ লোকসকলে গিলিয়দ দেশলৈ ৰূবেণ ও গাদৰ
সন্তান সকল আৰু মনচিৰ আধা ফৈদৰ ওচৰলৈ বাৰ্তাবাহকসকলক
পঠিয়ালে৷ আনকি ইলিয়াজৰ পুৰোহিতৰ পুত্ৰ পীনহচকো পঠিয়ালে ১৪
আৰু ইস্ৰায়েলৰ প্ৰত্যেক ফৈদৰ পিতৃ-বংশৰ পৰা এজন এজন অধ্যক্ষ
এইদৰে দহ জন অধ্যক্ষ তেওঁৰ লগত পঠাই দিলে আৰু তেওঁলোক
প্ৰতিজন ইস্ৰায়েলৰ লোকসকলৰ মাজত, নিজ নিজ পিতৃ-বংশৰ মূল
মানুহ আছিল। ১৫ পাছত তেওঁলোকে গিলিয়দ দেশত ৰূবেণ ও গাদৰ
লোকসকল আৰু মনচিৰ আধা ফৈদৰ ওচৰলৈ গ'ল আৰু তেওঁলোকক
এই কথা ক'লে: ১৬ "যিহোৱাৰ গোটেই সমাজে এই কথা কৈছে, 'আজি
যিহোৱাৰ অহিতে বিদ্ৰোহী হ'বৰ মনেৰে তোমালোকে তোমালোকৰ
বাবে এটা যজ্ঞবেদী নিৰ্ম্মাণ কৰিলা, যিহোৱাৰ পাছত নচলিবলৈ আজি
তেওঁক বিমুখ কৰিলা, তোমালোকে ইস্ৰায়েলৰ ঈশ্বৰৰ বিৰুদ্ধে যে
সত্যলঙ্ঘন কৰিলা, ই কি কথা? ১৭ চিন পিয়োৰ পৰ্বতত আমি কৰা
অপৰাধ আমাৰ বাবে যথেষ্ট নহয় নে? আনকি এতিয়াও আমি নিজকে
ইয়াৰ পৰা শুচি কৰিব পৰা নাই৷ সেই কাৰণে যিহোৱাৰ সমাজৰ
ওপৰত অপৰাধৰ মহামাৰী আহিছে৷ ১৮ তোমালোকে যিহোৱাৰ পাছত
চলিবলৈ আজি বিমুখ হ'ব খুজিছা? তোমালোকে আজি যদি তেওঁৰ
বিৰুদ্ধে বিদ্ৰোহী হোৱা, তেওঁ কালিলৈ ইস্ৰায়েলৰ গোটেই সমাজলৈ
ক্ৰোধ কৰিব। ১৯ আৰু কওঁ, তোমালোকৰ আধিপত্যৰ দেশ যদি
অশুচি হয়, তেন্তে যিহোৱাৰ নিয়ম-চন্দুক থকা, যিহোৱাই অধিকাৰ

কৰা দেশলৈ পাৰহৈ আহি আমাৰ মাজত আধিপত্য গ্ৰহণ কৰা৷ কেৱল
আমাৰ ঈশ্বৰ যিহোৱাৰ যজ্ঞবেদীৰ বাহিৰে আন যজ্ঞবেদী নিৰ্ম্মাণ কৰি
যিহোৱাৰ আৰু আমাৰো বিদ্ৰোহী নহ'বাহঁক। ২০ জেৰহৰ পুতেক
আখানে বৰ্জিত বস্তুৰ কথাত দোষ কৰাত, ইস্ৰায়েলৰ সকলো লোকৰ
ওপৰলৈ জানো ঈশ্বৰৰ ক্ৰোধ অহা নাছিল? সেই মানুহ নিজৰ অতিশয়
অনৈতিক অপৰাধত অকলে জানো বিনষ্ট হ'ল'।" ২১ তেতিয়া ৰূবেণ
ও গাদৰ ফৈদ আৰু মনচিৰ আধা ফৈদে ইস্ৰায়েলৰ বংশৰ মুখিয়াল
লোকসকলক এই উত্তৰ দিলে: ২২ "ঈশ্বৰসকলৰ ঈশ্বৰ যিহোৱাই!
ঈশ্বৰসকলৰ ঈশ্বৰ যিহোৱায়েই জানে! আৰু ইস্ৰায়েলেও জানক;
সঁচাকৈ আমি যদি বিদ্ৰোহীভাবে বা যিহোৱাৰ আগত সত্যলঙ্ঘন
কৰিলোঁ, তেনেহলে আজি তুমি আমাক ৰক্ষা নকৰিবা৷ ২৩ আমি যদি
যিহোৱাৰ পাছত চলিবলৈ বিমুখ হ'বৰ অৰ্থে বা হোম কি নৈবেদ্য
উৎসৰ্গ কৰিবৰ অৰ্থে বা মঙ্গলাৰ্থক বলিদান কৰিবৰ বাবে যজ্ঞবেদী
নিৰ্ম্মাণ কৰিলোঁ, তেন্তে যিহোৱাই নিজে তাৰ প্ৰতিশোধ লওঁক। ২৪
সঁচাকৈ আমি এটা বিশেষ কথাৰ আশঙ্কাতহে ইয়াকে কৰিলোঁ অৰ্থাৎ
আগলৈ তোমালোকৰ সন্তান সকলে আমাৰ সন্তান সকলক ক'ব,
ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাৰে সৈতে তোমালোকৰ কি সম্পৰ্ক? ২৫
কিয়নো তোমালোক আৰু আমাৰ মাজত যিহোৱাই যৰ্দ্দনক সীমা কৰি
ৰাখিছে৷ হে ৰূবেণৰ সন্তান সকল, হে গাদৰ সন্তান সকল, যিহোৱাৰ
বিষয়ে তোমালোকৰ কৰিবলৈ কোনো ভাগ নাই, গতিকে তোমালোকৰ
সন্তান সকলে আমাৰ সন্তান সকলক যিহোৱাৰ অভয়ৰ পৰাহে এৰুৱাব।
২৬ এই হেতুকে আমি কলোঁ, 'আহাঁ আমি এটা বেদী নিৰ্ম্মাণ কৰিবলৈ
ধৰোঁহঁক; সেই বেদী হোম বা আন বলিদানৰ অৰ্থে নহ'ব, ২৭ কিন্তু
আমাৰ হোম বলি, আন আন বলি আৰু মঙ্গলাৰ্থক বলিদানৰ দ্বাৰাই,
যিহোৱাৰ সাক্ষাতে তেওঁৰ আৰাধনা কৰিবলৈ আমাৰ যে অধিকাৰ
আছে, এয়ে তোমালোকৰ আৰু আমাৰ মাজত আৰু আমাৰ পাছত
আহিবলগীয়া আমাৰ ভাবি বংশৰ মাজত ইয়াৰ সাক্ষী হ'ব; তাতে,
'যিহোৱাত তোমালোকৰ কোনো ভাগ নাই', এনে কথা ভবিষ্যতে
তোমালোকৰ সন্তানসকলে আমাৰ সন্তানসকলক ক'ব নোৱাৰিব। ২৮

এই হেতুকে আমি ক'লোঁ, 'তেওঁলোকে যদি আমাক বা আমাৰ ভাবি-
বংশক আগলৈ এনে কথা ক'ব, তেন্তে আমি এই উত্তৰ দিম, চোৱা!
আমাৰ ওপৰ পিতৃসকলে নিৰ্ম্মাণ কৰা যিহোৱাৰ যজ্ঞবেদীৰ নমুনা;
তেওঁলোকে হোম বা আন বলিদানৰ অৰ্থে নিৰ্ম্মাণ কৰা বেদী নহয়,
কিন্তু সেয়ে তোমালোকৰ আৰু আমাৰ মাজত সাক্ষ্য মাত্ৰ।" ২৯ আমি
যে হোম বা নৈবেদ্য বা বলিদানৰ অৰ্থে আমাৰ ঈশ্বৰ যিহোৱাই নিবাস
কৰা গৃহৰ আগত থকা তেওঁৰ যজ্ঞবেদিৰ বাহিৰে, আন যজ্ঞবেদী
নিৰ্ম্মাণ কৰি যিহোৱাৰ বিদ্ৰোহী হ'ব খুজিছোঁ বা যিহোৱাৰ পাছত
চলিবলৈ আজি বিমুখ হ'ব খুজিছোঁ, এনে কথা আমাৰ পৰা দূৰ হওঁক'।"
৩০ যেতিয়া পীনহচ পুৰোহিত আৰু লোকসকলৰ অধ্যক্ষসকল অৰ্থাৎ
তেওঁৰ লগৰ ইস্ৰায়েলৰ বংশৰ মুখিয়াল লোকসকলে ৰূবেণ, গাদৰ
আৰু মনচিৰ সন্তান সকলৰ এই কথা শুনিলে, তেতিয়া তেওঁলোকে
এই বিষয়টো বৰ ভাল দেখিলে। ৩১ আৰু ইলিয়াজৰ পুৰোহিতৰ পুত্ৰ
পীনহচে ৰূবেণ, গাদৰ আৰু মনচিৰ লোকসকলক ক'লে, "তোমালোকে
যিহোৱাৰ বিৰুদ্ধে যে সেই অপৰাধ কৰা নাই, ইয়াতে আমি আজি
জানিলোঁ, যে যিহোৱা আমাৰ মাজত আছে; এতিয়া তোমালোকে
ইস্ৰায়েলৰ লোকসকলক যিহোৱাৰ হাতৰ পৰা উদ্ধাৰ কৰিলা।" ৩২
পাছত ইলিয়াজৰ পুৰোহিতৰ পুত্ৰ পীনহচে আৰু অধ্যক্ষসকলে ৰূবেণ
ও গাদৰ সন্তান সকলৰ পৰা বিদায় হৈ গিলিয়দ দেশৰ পৰা কনান
দেশত থকা ইস্ৰায়েলৰ লোকসকলৰ ওচৰলৈ উলটি আহি তেওঁলোকক
বাৰ্ত্তা দিলেহি। ৩৩ ইস্ৰায়েলৰ লোকসকলে এই সুসংবাদ তেওঁলোকৰ
দৃষ্টিত ভাল দেখিলে৷ ইস্ৰায়েলৰ লোকসকলে ঈশ্বৰক ধন্যবাদ কৰিলে
আৰু ৰূবেণ ও গাদৰ সন্তান সকল থকা দেশৰ বিৰুদ্ধে যুদ্ধ-যাত্ৰা কৰি
বিনষ্ট কৰাৰ কথা পুনৰ নক'লে। ৩৪ পাছত ৰূবেণ ও গাদৰ সন্তান
সকলে সেই বেদীৰ নাম "এদ" ৰাখিলে; কিয়নো তেওঁলোকে ক'লে,
"যিহোৱা যে ঈশ্বৰ, এয়ে আমাৰ মাজত সাক্ষী।"

**২৩** এইদৰে যিহোৱাই ইস্ৰায়েলক তেওঁলোকৰ চাৰিওফালে থকা
আটাই শত্ৰুৰ পৰা জিৰণী দিয়াৰ পাছত যিহোচূৱা বুঢ়া আৰু অতিশয়
বৃদ্ধ হ'ল৷ ২ তেতিয়া তেওঁ গোটেই ইস্ৰায়েলক, তেওঁলোকৰ বৃদ্ধ

আৰু অধ্যক্ষসকলক, বিচাৰকৰ্ত্তা আৰু বিষয়াসকলক মতাই আনি
তেওঁলোকক ক'লে, “মই বুঢ়া আৰু অতিশয় বৃদ্ধ হ'লো। ৩ তোমালোকৰ
ঈশ্বৰ যিহোৱাই তোমালোকৰ কাৰণে এই সকলো জাতিলৈ যি
যি কৰিলে, সেই বিষয়ে তোমালোকে দেখি আছাহঁক, কিয়নো
তোমালোকৰ ঈশ্বৰ যিহোৱাই নিজে তোমালোকৰ পক্ষে যুদ্ধ কৰিলে।
৪ চোৱা! যি যি জাতিক মই উচ্ছন্ন কৰিলোঁ, তেওঁলোকৰ দেশৰে
সৈতে, যৰ্দ্দনৰ পৰা সূৰ্য মাৰ যোৱা ফালে মহা সমুদ্ৰলৈকে সকলো
অৱশিষ্ট থকা জাতিৰ দেশ মই তোমালোকৰ ফৈদবোৰক আধিপত্যৰ
অৰ্থে চিঠি-খেলৰ দ্বাৰাই ভগাই দিলোঁ। ৫ তোমালোকৰ ঈশ্বৰ
যিহোৱাই তোমালোকৰ আগৰ পৰা তেওঁলোকক গতিয়াই পঠাব আৰু
তোমালোকৰ চকুৰ আগৰ পৰা সিহঁতক দূৰ কৰিব৷ তাতে তোমালোকৰ
ঈশ্বৰ যিহোৱাই তোমালোকক কোৱাৰ দৰে, তোমালোকে সিহঁতৰ দেশ
অধিকাৰ কৰিবা। ৬ এতেকে, তোমালোকে মোচিৰ বিধান অনুসাৰে
সোঁ কি বাওঁফালে যেন নুঘূৰিবা, ৭ তোমালোকৰ মাজত অৱশিষ্ট থকা
এই জাতি সমূহৰ মাজত নুসোমাবা, তেওঁলোকৰ দেৱতাৰ নাম নলবা,
সেইবোৰৰ নামেৰে শপত নাখাবা, সেইবোৰক পূজা নকৰিবা আৰু
সেইবোৰৰ আগত প্ৰণিপাত নকৰিবা৷ ৮ কিন্তু আজিলৈকে যেনেকৈ
কৰি আহিছা, তেনেকৈ যেন নিজ ঈশ্বৰ যিহোৱাত আসক্ত হৈ থাকা,
এই কাৰণে মোচিৰ বিধান-পুস্তকত লিখা সকলো কথা পালন কৰি,
তাৰ দৰে আচৰণ কৰিবলৈ অতিশয় সাহ কৰা। ৯ কিয়নো যিহোৱাই
তোমালোকৰ আগৰ পৰা মহৎ আৰু বলৱান জাতি সমূহক দূৰ কৰিলে৷
আৰু তোমালোকৰ আগত আজিলৈকে কোনেও থিয় হ'ব পৰা নাই। ১০
তোমালোকৰ এজনেই হাজাৰ জনক খেদি দিব; কিয়নো, তোমালোকৰ
ঈশ্বৰ যিহোৱাই তোমালোকক যেনেকৈ কৈছিল, তেনেকৈ তেওঁ নিজেই
তোমালোকৰ পক্ষে যুদ্ধ কৰোঁতা। ১১ এই হেতুকে তোমালোকে
নিজ নিজ প্ৰাণৰ বিষয়ে অতিশয় সাৱধান হৈ, তোমালোকৰ ঈশ্বৰ
যিহোৱাক প্ৰেম কৰা৷ ১২ নাইবা যদি কোনো প্ৰকাৰে বিমুখ হৈ,
সেই জাতিবোৰৰ বাকী থকা যি অৱশিষ্ট লোক তোমালোকৰ মাজত
আছে, তেওঁলোকত আসক্ত হোৱা, তেওঁলোকৰ লগত বিবাহৰ সম্বন্ধ

কৰা আৰু তোমালোকৰ লগত তেওঁলোকৰ বা তেওঁলোকৰ লগত
তোমালোকৰ আলাপ ব্যৱহাৰ হয়, ১৩ তেন্তে, নিশ্চয়ে জানিবা যে,
তোমালোকৰ ঈশ্বৰ যিহোৱাই তোমালোকৰ আগৰ পৰা সেই জাতি
সমূহক দূৰ নকৰিব৷ কিন্তু তোমালোকৰ ঈশ্বৰ যিহোৱাই তোমালোকক
দিয়া এই উত্তম দেশৰ পৰা তোমালোক বিনষ্ট নোহোৱালৈকে সিহঁত
তোমালোকৰ জাল আৰু ফান্দ, গাত কোবোৱা চাবুক আৰু চকুত
লগা কাঁইট স্বৰূপ হৈ থাকিব। ১৪ চোৱা, গোটেই পৃথিৱীৰ লোকে
যোৱা পথেদি মই আজি যাওঁ। আৰু তোমালোকে সকলো মনেৰে
সকলো জ্ঞানেৰে ইয়াক জ্ঞাত হোৱা যে, তোমালোকৰ ঈশ্বৰ যিহোৱাই
তোমালোকৰ বিষয়ে যিমান কুশলৰ বাক্য ক'লে, তাৰ এটিও বিফল
হোৱা নাই; তোমালোকৰ পক্ষে সেই সকলো সিদ্ধ হ'ল, এটিও নিষ্ফল
হোৱা নাই। ১৫ কিন্তু তোমালোকৰ ঈশ্বৰ যিহোৱাই তোমালোকক
যি যি কুশলৰ বাক্য কৈছিল, সেই সকলো যেনেকৈ তোমালোকৰ
পক্ষে সিদ্ধ হ'ল, সেইদৰে তোমালোকৰ ঈশ্বৰ যিহোৱাই তোমালোকক
দিয়া এই উত্তম দেশৰ পৰা তোমালোকক বিনষ্ট কৰি নটায় মানে,
তেওঁ তোমালোকলৈ সকলো অমঙ্গলৰ বাক্যও সিদ্ধ কৰিব। ১৬ নিজ
ঈশ্বৰ যিহোৱাই তোমালোকক আদেশ কৰা নিয়মটি যদি তোমালোকে
লঙ্ঘন কৰা আৰু তোমালোকে যদি আন দেৱতাবোৰক পূজা কৰা আৰু
সেইবোৰৰ আগত প্ৰণিপাত কৰা, তেন্তে তোমালোকৰ ঈশ্বৰ যিহোৱাৰ
ক্ৰোধ তোমালোকৰ বিৰুদ্ধে জ্বলি উঠিব আৰু তেওঁ তোমালোকক দিয়া
এই উত্তম দেশৰ পৰা, তোমালোক সোনকালে বিনষ্ট হ'বা।"

**২৪** পাছত যিহোচূৱাই ইস্ৰায়েলৰ সকলো ফৈদক চিখিমত গোট
খোৱালে আৰু তেওঁলোকৰ বৃদ্ধ লোকসকলক, অধ্যক্ষসকলক,
বিচাৰকৰ্ত্তাসকলক আৰু বিষয়াসকলক মতাই আনিলে, তেতিয়া
তেওঁলোকে ঈশ্বৰৰ সাক্ষাতে উপস্থিত হ'ল। ২ যিহোচূৱাই লোক
সকলক ক'লে, "ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাই এই কথা কৈছে, 'আগৰ
কালত তোমালোকৰ পূৰ্ব পুৰুষ - অব্ৰাহাম আৰু নাহোৰৰ পিতৃ তেৰহ,
ইউফ্ৰেটিচ নদীৰ সিপাৰে বাস কৰিছিল আৰু তেওঁলোকে অন্য দেৱতা
বোৰক পূজা কৰিছিল। ৩ পাছত মই তোমালোকৰ আদি পিতৃ

অব্ৰাহামক নদীৰ সিপাৰৰ পৰা আনি, কনান দেশৰ সকলো ফালে লৈ
ফুৰালোঁ আৰু মই তেওঁৰ পুত্ৰ ইচহাকৰ দ্বাৰা তেওঁৰ বংশ বৃদ্ধি কৰিলোঁ।
৪ আৰু ইচহাকলৈ মই যাকোব আৰু এচৌক দিলোঁ। এচৌৰ অধিকাৰৰ
অৰ্থে মই তেওঁক চেয়ীৰ পৰ্ব্বত দিলোঁ, কিন্তু যাকোব আৰু তেওঁৰ
সন্তান সকল হ'লে মিচৰলৈ নামি গ'ল। ৫ তাৰ পাছত মই মোচি
আৰু হাৰোণক পঠিয়ালোঁ আৰু মিচৰৰ লোক সকলৰ ওপৰত কৰা
মোৰ কাৰ্যৰ দ্বাৰাই তেওঁলোকলৈ মহা আপদ ঘটালোঁ। তাৰ পাছত মই
তোমালোকক উলিয়াই আনিলো। ৬ মই মিচৰৰ পৰা তোমালোকৰ
পূৰ্ব পুৰুষ সকলক উলিয়াই অানিলো আৰু তোমালোকৰ সেই
পুৰুষসকল আহি সমুদ্ৰ পালে; তেতিয়া মিচৰীয়া লোক সকলে ৰথ আৰু
অশ্বাৰোহী সৈন্য লৈ, চূফ সাগৰলৈকে তোমালোকৰ পূৰ্ব পুৰুষ সকলৰ
পাছে পাছে খেদি আহিছিল। ৭ সেই সময়ত যেতিয়া তোমালোকৰ
পূৰ্ব পুৰুষ সকলে যিহোৱাৰ আগত কাতৰোক্তি কৰিলে, তেতিয়া
যিহোৱাই মিচৰীয়াসকলৰ আৰু তোমালোকৰ মাজত অন্ধকাৰ স্থাপন
কৰিলে৷ তেওঁ তেওঁলোকৰ ওপৰলৈ সমুদ্ৰ আনিলে আৰু তেওঁলোকক
ঢাকি পেলালে৷ মই মিচৰত কৰা কাৰ্য তোমালোকে নিজ চকুৰে
দেখিলা৷ তাৰ পাছত তোমালোকে বহুকাল মৰুপ্ৰান্তত বাস কৰিলা।
৮ তাৰ পাছত মই তোমালোকক যৰ্দ্দনৰ সিপাৰে থকা ইমোৰীয়া
সকলৰ দেশলৈ আনিলোঁ৷ তেওঁলোকে তোমালোকৰে সৈতে যুদ্ধ
কৰিলে আৰু মই তোমালোকৰ হাতত তেওঁলোকক সমৰ্পণ কৰিলোঁ৷
পাছত তোমালোকে তেওঁলোকৰ দেশ অধিকাৰ কৰিলা; এইদৰে
মই তোমালোকৰ আগৰ পৰা তেওঁলোকক বিনষ্ট কৰিলোঁ। ৯ পাছত
চিপ্পোৰৰ পুত্ৰ মোৱাবৰ ৰজা বালাকে উঠি ইস্ৰায়েলক আক্ৰমণ কৰিলে
আৰু তোমালোকক শাও দিবৰ কাৰণে মানুহ পঠিয়াই বিয়োৰৰ পুতেক
বিলিয়মক মাতিলে। ১০ কিন্তু মই বিলিয়মৰ কথাত মন দিবলৈ সন্মত
নহলোঁ৷ তাতে তেওঁ তোমালোকক আশীৰ্ব্বাদহে কৰিলে; এইদৰে
মই তেওঁৰ হাতৰ পৰা তোমালোকক উদ্ধাৰ কৰিলোঁ। ১১ পাছত
তোমালোকে যৰ্দ্দন পাৰ হৈ যিৰীহো পালাহি৷ যিৰিহোৰ অধ্যক্ষসকলে
ইমোৰীয়া, পৰিজ্জীয়া, কনানীয়া, হিত্তীয়া, গিৰ্গাচীয়া, হিব্বীয়া আৰু

যিবুচীয়া লোকসকলৰ সৈতে তোমালোকৰ বিৰুদ্ধে যুদ্ধ কৰিলে৷
মই তোমালোকক তেওঁলোকৰ ওপৰত জয়ী হ'বলৈ দিলোঁ আৰু
তোমালোকৰ হাতত শোধাই দিলোঁ। ১২ মই তোমালোকৰ আগে
আগে কোদো পঠালোঁ; তাতে সেই কোদোৱে তোমালোকৰ আগৰ
পৰা তেওঁলোকক, বিশেষকৈ ইমোৰীয়াসকলৰ দুজন ৰজাক দূৰ
কৰিলে৷ তোমালোকৰ তৰোৱাল বা ধনুৰ দ্বাৰাই তেওঁলোকক দূৰ
কৰা হোৱা নাছিল। ১৩ তোমালোকে যিহৰ বাবে শ্ৰম কৰা নাই,
এনে এক দেশ আৰু যিহক তোমালোকে স্থাপন কৰা নাই এনে
অনেক নগৰ মই তোমালোকক দিলোঁ, তোমালোকে তাৰ মাজত
বাস কৰি আছা৷ আৰু যি দ্ৰাক্ষালতা ও জিতগছৰ বাৰী তোমালোকে
পতা নাই, এনে বাৰীৰ ফল তোমালোকে ভোগ কৰি আছা। ১৪ এই
হেতুকে এতিয়া তোমালোকে যিহোৱাক ভয় কৰা আৰু সৰল মনেৰে
ও সত্যেৰে তেওঁৰ আৰাধনা কৰা; তোমালোকৰ পূৰ্বপুৰুষসকলে
নদীৰ সিপাৰে আৰু মিচৰত পূজা কৰা দেৱতাবোৰক দূৰ কৰা আৰু
যিহোৱাৰ আৰাধনা কৰা। ১৫ যদি যিহোৱাৰ আৰাধনা কৰাত বেয়া
লাগিছে, তেন্তে ইউফ্ৰেটিচ নদীৰ সিপাৰে থকা তোমালোকৰ ওপৰ-
পিতৃসকলে পূজা কৰা দেৱতাবোৰেই হওঁক বা যিসকলৰ দেশত
তোমালোকে বাস কৰিছা, সেই ইমোৰীয়াসকলৰ দেৱতাবোৰেই
হওঁক, যাৰ আৰাধনা কৰিবা তাক আজিয়েই মনোনীত কৰা৷ কিন্তু
মই আৰু মোৰ পৰিয়ালে হ'লে যিহোৱাৰ আৰাধনা কৰিম।" ১৬
তেতিয়া লোকসকলে উত্তৰ দি ক'লে, "আমি আন দেৱতাবোৰক পূজা
কৰিবৰ বাবে যে যিহোৱাক ত্যাগ কৰিম আমাৰ পৰা এনে কথা দূৰ
হওঁক, ১৭ কিয়নো যিজনাই আমাক আৰু আমাৰ ওপৰ পিতৃসকলক
বন্দীঘৰস্বৰূপ মিচৰ দেশৰ পৰা আনিলে আৰু আমাৰ চকুৰ আগতে
সেই মহৎ চিনবোৰ দেখুৱালে আৰু যি বাটেদি আমি আহিলোঁ, সেই
গোটেই বাটত আৰু যি জাতিবোৰৰ মাজেদি আমি পাৰ হৈ আহিলোঁ,
সেই জাতিবোৰৰ মাজতো আমাক ৰক্ষা কৰিলে, সেই জনাই আমাৰ
ঈশ্বৰ যিহোৱা। ১৮ সেই যিহোৱায়েই এই দেশত থকা ইমোৰীয়া
আদি কৰি সকলো জাতিক আমাৰ আগৰ পৰা দূৰ কৰিলে৷ এই

হেতুকে আমিও যিহোৱাৰেহে আৰাধনা কৰিম, কিয়নো তেৱেঁই আমাৰ
ঈশ্বৰ।” ১৯ কিন্তু যিহোচূৱাই লোকসকলক ক’লে, “তোমালোকে
যিহোৱাৰ আৰাধনা কৰিব নোৱাৰিবা, কিয়নো তেওঁ পবিত্ৰ ঈশ্বৰ; নিজ
মৰ্য্যদা ৰখাত উদ্যোগী ঈশ্বৰ; তেওঁ তোমালোকৰ অধাৰ্মিকতা আৰু
পাপসমূহক ক্ষমা নকৰিব। ২০ তোমালোকে যদি যিহোৱাক ত্যাগ কৰি
বিজাতীয় দেৱতাক পূজা কৰা, তেন্তে তেওঁ তোমালোকক মঙ্গল কৰাৰ
পৰা ঘূৰি, তোমালোকৰ অমঙ্গলহে কৰিব আৰু তোমালোকক সংহাৰ
কৰিব।” ২১ তেতিয়া লোকসকলে যিহোচূৱাক ক’লে, “নহয়, আমি
যিহোৱাৰহে আৰাধনা কৰিম।” ২২ তেতিয়া যিহোচূৱাই লোকসকলক
ক’লে, “তোমালোকে আৰাধনা কৰিবৰ অৰ্থে যিহোৱাক যে মনোনীত
কৰিলা, এই কথাত তোমালোকে নিজৰ বিৰুদ্ধে নিজে সাক্ষী হৈছা।”
তেওঁলোকে ক’লে, “হয়, আমি সাক্ষী হৈছোঁ।” ২৩ তেতিয়া তেওঁ ক’লে,
“তেনেহ’লে এতিয়া তোমালোকৰ মাজত থকা বিজাতীয় দেৱতাবোৰ
দূৰ কৰা আৰু নিজ নিজ হৃদয়েৰে ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱালৈ ঘূৰি
আঁহাঁ।” ২৪ লোকসকলে যিহোচূৱাক ক’লে, “আমি ঈশ্বৰ যিহোৱাৰেই
আৰাধনা কৰিম আৰু তেওঁৰেই বাক্যলৈ কাণ দিম।” ২৫ এই দৰে
যিহোচূৱাই সেইদিনা লোকসকলৰে সৈতে এটি নিয়ম স্থিৰ কৰিলে৷
তেওঁ চিখিমত তেওঁলোকৰ বাবে এক বিধি আৰু শাসন প্ৰণালী স্থাপন
কৰিলে। ২৬ তেতিয়া যিহোচূৱাই সেই সকলো কথা ঈশ্বৰৰ বিধান-
পুস্তকখনিত লিখি হ’ল আৰু এটা ডাঙৰ শিল লৈ, যিহোৱাৰ ধৰ্মধামৰ
ওচৰত থকা এৰা গছৰ তলত স্থাপন কৰিলে। ২৭ পাছত যিহোচূৱাই
লোকসকলক ক’লে, “চোৱা, এই শিলে আমাৰ অহিতে সাক্ষী হ’ব৷
কিয়নো আমাৰ আগত যিহোৱাই কোৱা সকলো কথা ই শুনিলে৷ এই
হেতুকে তোমালোকে তোমালোকৰ ঈশ্বৰক আসৈ নকৰিবৰ বাবে
এইয়ে তোমালোকৰ অহিতে সাক্ষী হ’ব।” ২৮ তাৰ পাছত যিহোচূৱাই
লোকসকলক নিজ নিজ উত্তৰাধিকাৰলৈ বিদায় দিলে। ২৯ এই সকলো
ঘটনাৰ পাছত, যিহোৱাৰ দাস নুনৰ পুত্ৰ যিহোচূৱাৰ এশ দহ বছৰত
মৃত্যু হ’ল। ৩০ তেতিয়া লোকসকলে গাচ পৰ্ব্বতৰ উত্তৰফালে, ইফ্ৰয়িম
পৰ্ব্বতীয়া অঞ্চলত থকা তিম্নৎ-চেৰহত তেওঁৰ নিজৰ উত্তৰাধিকাৰৰ

সীমাৰ ভিতৰত তেওঁক মৈদাম দিলে। ৩১ যিহোচূৱাৰ আয়ুসৰ সকলো
কালত আৰু যি বৃদ্ধ লোকসকল যিহোচূৱাৰ মৃত্যুৰ পাছত জীয়াই
আছিল আৰু ইস্রায়েলৰ বাবে যিহোৱাই কৰা সকলো কৰ্ম জানিছিল,
তেওঁলোক জীয়াই থকালৈকে ইস্রায়েলে যিহোৱাৰ আৰাধনা কৰি
আছিল। ৩২ ইস্রায়েলৰ সন্তান সকলে মিচৰ দেশৰ পৰা অনা যোচেফৰ
অস্থিবোৰ চিখিমত এডোখৰ মাটিত মৈদাম দিলে, যি মাটি যাকোবে
চিখিমৰ বাপেক হমোৰৰ পুতেকহঁতৰ পৰা এশ ৰূপ দি কিনি লৈছিল;
আৰু সেয়ে যোচেফৰ সন্তান সকলৰ উত্তৰাধিকাৰ হ'ল। ৩৩ তাৰ পাছত
হাৰোণৰ পুত্ৰ ইলিয়াজৰৰো মৃত্যু হ'ল৷ তাত লোকসকলে ইফ্ৰয়িমৰ
পৰ্ব্বতীয়া অঞ্চলত তেওঁৰ পুত্ৰ পীনহচক দিয়া গিবিয়াত তেওঁক মৈদাম
দিলে।

# বিচাৰকচৰিত

১ যিহোচূৱাৰ মৃত্যুৰ পাছত ইস্ৰায়েলৰ সন্তান সকলে যিহোৱাক
সুধিলে, “কনানীয়াসকলৰ বিপক্ষে আমি যেতিয়া যুদ্ধ কৰিবলৈ
উপত্যকাৰ ওপৰলৈ যাম, তেতিয়া আমাৰ হৈ যুদ্ধ কৰিবলৈ কোনে
প্ৰথমে তেওঁলোকক আক্ৰমণ কৰিব?” ২ উত্তৰত যিহোৱাই ক'লে,
“প্ৰথমে যিহূদা ফৈদৰ লোকসকল যাব; চোৱা, মই তেওঁলোকৰ হাততে
এই দেশ সমৰ্পণ কৰিলোঁ।” ৩ এই কথা শুনাৰ পাছত যিহূদা বংশৰ
লোক সকলে গৈ চিমিয়োন ফৈদৰ তেওঁলোকৰ ভাইসকলক ক'লে,
“যি ঠাই আমাৰ ভাগত পৰিছে, সেই অঞ্চলত থকা কনানীয়াসকলৰ
অহিতে যুদ্ধ কৰিবৰ বাবে তোমালোকো আমাৰ সৈতে আহাঁ, তেতিয়া
আমি একেলগে মিলি যুদ্ধ কৰিব পাৰিম আৰু পাছত সেইদৰে আমিও
তোমালোকৰ অঞ্চল দখল কৰিবৰ বাবে তোমালোকৰ লগত যুদ্ধলৈ
যাম।” তেতিয়া চিমিয়োন ফৈদৰ লোকসকল তেওঁলোকৰ লগত
গ'ল। ৪ যিহূদা বংশৰ লোকসকল ওপৰলৈ উঠি গৈ আক্ৰমণ কৰাত
যিহোৱাই কনানীয়া আৰু পৰিজ্জীয়াসকলৰ ওপৰত তেওঁলোকক জয়ী
কৰিলে। তেওঁলোকৰ দহ হাজাৰ সৈন্যক তেওঁলোকে বেজক অঞ্চলত
বধ কৰিলে। ৫ বেজকত তেওঁলোকে অদুনী বেজকক দেখা পাই
তেওঁৰ সৈতে যুদ্ধ কৰিলে আৰু কনানীয়া ও পৰিজ্জীয়াসকলক পৰাস্ত
কৰিলে। ৬ কিন্তু অদুনী-বেজক যেতিয়া পলাই গৈছিল, তেতিয়া
তেওঁলোকে পাছে পাছে খেদি গৈ তেওঁক ধৰি তেওঁৰ হাত আৰু ভৰিৰ
বুঢ়া আঙুলি কাটি পেলালে। ৭ তাতে অদুনী-বেজকে ক'লে, “মই
সত্তৰজন ৰজাৰ হাত আৰু ভৰিৰ বুঢ়া আঙুলি কাটি পেলাইছিলোঁ।
তেওঁলোকে মোৰ মেজৰ তলত পৰা আহাৰ বুটলি খাইছিল। মই
তেওঁলোকৰ প্ৰতি যেনে কাৰ্য কৰিলোঁ, ঈশ্বৰেও মোলৈ তেনে কৰিলে।”
পাছত তেওঁলোকে অদুনী-বেজকক যিৰূচালেমলৈ আনিলে আৰু তেওঁৰ
সেই ঠাইতে মৃত্যু হ'ল। ৮ যিহূদা বংশৰ লোকসকলে যিৰূচালেম
আক্ৰমণ কৰি, সেই ঠাই অধিকাৰ কৰিলে। তেওঁলোকে তৰোৱালেৰে
সকলোকে বধ কৰি নগৰখনত জুই লগাই দিলে। ৯ তাৰ পাছত
তেওঁলোকে পাহাৰীয়া এলেকা, নেগেভ আৰু পশ্চিমৰ নিম্নভূমিত

বাস কৰা কনানীয়াসকলৰে সৈতে যুদ্ধ কৰিবলৈ নামি গ'ল। ১০
তেওঁলোকে হিব্ৰোণৰ বাসিন্দা কনানীয়াসকলৰ বিৰুদ্ধে আগুৱাই গৈ
চেচয়, অহিমন আৰু তল্ময়ক পৰাস্ত কৰিলে। হিব্ৰোণৰ আগৰ নাম
আছিল কিৰিয়ৎ-অৰ্ব্ব। ১১ তাৰ পৰা তেওঁলোক দবীৰ চহৰৰ বিৰুদ্ধে
আগবাঢ়ি গ'ল; দবীৰৰ পূৰ্বৰ নাম আছিল কিৰিয়ৎ-চেফৰ। ১২ কালেবে
কৈছিল, "যি জনে কিৰিয়ৎ-চেফৰক আক্ৰমণ কৰি অধিকাৰ কৰিব, মই
মোৰ জী অকচাক তেওঁৰে সৈতে বিয়া দিম।" ১৩ তাতে কালেবৰ
ভায়েক কনজৰ সন্তান অৎনীয়েলে দবীৰ অধিকাৰ কৰিলে আৰু সেয়ে
কালেবে নিজৰ জীয়েক অকচাক অৎনীয়েলে সৈতে বিয়া দিলে। ১৪
অৎনীয়েলৰ লগত অকচা অহাৰ পাছতেই অকচাই স্বামীক খাটিবলৈ
ধৰিলে, যাতে তেওঁ তাইৰ বাপেকক তাইৰ কাৰণে এখন পথাৰ
দিবলৈ অনুৰোধ কৰে। পাছত অকচা যেতিয়া গাধৰ পিঠিৰ পৰা
নামিল, কালেবে তাইক সুধিলে, "তোমাক কি লাগে মাজনী?" ১৫
তাই উত্তৰ দিলে, "দেউতা, আপুনি মোক এক আশীৰ্ব্বাদ দিয়ক;
কিয়নো আপুনি মোক নেগেভৰ ভূমি যেতিয়া দিছে, তেন্তে জলৰ
নিজৰাবোৰো মোক দিয়ক।" এই কথা শুনি কালেবে তাইক সেই
ঠাইৰ ওপৰ আৰু তল অংশত থকা নিজৰাবোৰ দিলে। ১৬ মোচিৰ
শহুৰেকৰ বংশৰ সন্তান সকল, যিসকল জাতিত কেনীয়া আছিল,
তেওঁলোকে যিহূদাৰ লোকসকলৰ সৈতে খেজুৰ চহৰৰ পৰা অৰাদ
এলেকাৰ ওচৰৰ নেগেভত থকা যিহূদাৰ লোকসকলে বসবাস কৰা
মৰুভূমিলৈ তেওঁলোকে সৈতে বসবাস কৰিবলৈ উঠি গ'ল। ১৭ যিহূদা
বংশৰ লোক সকলে তেওঁলোকৰ ভাই চিমিয়োন বংশৰ লোক সকলৰ
লগত গৈ চফৎ চহৰৰ বাসিন্দা কনানীয়াসকলক আক্ৰমণ কৰিলে আৰু
সেই চহৰ সম্পূৰ্ণকৈ বিনষ্ট কৰিলে। এই কাৰণতে সেই চহৰৰ নাম
দিয়া হ'ল হৰ্মা। ১৮ যিহূদা বংশই গাজা, অস্কিলোন, ইক্ৰোণ চহৰ আৰু
তাৰ ওচৰ-পাজৰৰ অঞ্চলসমূহ দখল কৰিলে। ১৯ যিহোৱা যিহূদা
বংশৰ লোকসকলৰ সঙ্গত আছিল। তেওঁলোকে পাহাৰী এলেকাবোৰ
দখল কৰি নিছিল হয়, কিন্তু সমতল ভূমিৰ নিবাসীসকলক খেদাব পৰা
নাছিল, কাৰণ তেওঁলোকৰ লোহাৰ ৰথ আছিল। ২০ মোচিৰ আজ্ঞা

অনুসাৰে হিব্ৰুণ চহৰ কালেবক দিয়া হ'ল। অনাকৰ তিনিটা পুতেকক কালেবে হিব্ৰোণৰ পৰা খেদাই দিলে। ২১ কিন্তু বিন্যামীন বংশৰ লোকসকলে যিবূচালেমত বাস কৰা যিবুচীয়াসকলক উচ্ছেদ নকৰিলে; সেয়ে বিন্যামীন বংশৰ লগত যিবুচীয়াসকল আজিও তাত বসবাস কৰি আছে। ২২ যোচেফৰ বংশয়ো বৈৎএল নগৰ আক্ৰমণ কৰিবলৈ গ'ল। যিহোৱা তেওঁলোকৰ সঙ্গী আছিল। ২৩ তেওঁলোকে বৈৎএল নগৰখন ভালদৰে চাইচিতি আহিবলৈ মানুহ পঠালে; বৈৎএলৰ আগৰ নাম আছিল লুজ। ২৪ পাছত চোৰাংচোৱাসকলে সেই নগৰৰ পৰা এজন মানুহক বাহিৰলৈ ওলাই অহা দেখি, তেওঁক ক'লে, "অনুগ্ৰহ কৰি এই নগৰত সোমোৱাৰ পথটো আপুনি আমাক দেখুৱাই দিয়ক। আমি আপোনালৈ দয়ালু হ'ম।" ২৫ তেতিয়া তেওঁ তেওঁলোকক নগৰত সোমোৱা পথ দেখুৱাই দিয়াত তেওঁলোকে গৈ সেই নগৰ তৰোৱালেৰে আক্ৰমণ কৰিলে, কিন্তু সেই লোকজনক আৰু তেওঁৰ পৰিয়ালৰ সকলো লোকক ৰেহাই দিলে। ২৬ তাৰ পাছত সেই মানুহজনে হিত্তীয়াসকলৰ দেশলৈ গৈ তাত এখন নগৰ সাজিলে আৰু তাৰ নাম লুজ ৰাখিলে; আজিলৈকে নগৰখন এই নামেৰেই আছে। ২৭ মনচিৰ বংশৰ লোকসকলে বৈৎ-চান, তানক, দোৰ, যিব্লিয়াম, মগিদ্দো চহৰৰ আৰু ইয়াৰ আশে-পাশে থকা গাওঁবোৰৰ বাসিন্দাসকলক উচ্ছেদ নকৰিলে, কাৰণ কনানীয়াসকলে সেই ঠাইতে থাকিবলৈ মন দৃঢ় কৰিলে। ২৮ পাছত ইস্ৰায়েলীয়াসকল যেতিয়া শক্তিশালী হৈ উঠিল, তেতিয়া তেওঁলোকে সেই কনানীয়াসকলক তেওঁলোকৰ দাস হৈ কাম কৰিবলৈ বাধ্য কৰালে; কিন্তু তেওঁলোকক একেবাৰে খেদি নিদিলে। ২৯ ইফ্ৰয়িমৰ বংশধৰসকলেও গেজৰৰ পৰা কনানীয়াসকলক বাহিৰ কৰি নিদিলে; সেয়ে তেওঁলোক গেজৰতে তেওঁলোকৰ মাজত বাস কৰি থাকিল। ৩০ জবূলুন বংশৰ লোকসকলেও কিট্ৰোন আৰু নহলোলৰ পৰা কনানীয়াসকলক বাহিৰ কৰি নিদিলে; তাতে কনানীয়াসকল তেওঁলোকৰ মাজতে বাস কৰি থাকিল, কিন্তু জবূলূনৰ বংশধৰসকলে তেওঁলোকক দাসৰ কাম কৰিবলৈ বাধ্য কৰালে। ৩১ আচেৰ বংশয়েও অক্কো, চীদোন, অহলাব, অকজীব,

হেলবা, অফীক, আৰু ৰহোবৰ লোক সমূহক বাহিৰ নকৰিলে। ৩২
তেওঁলোকে সেই ঠাইৰ বাসিন্দা কনানীয়াসকলৰ মাজতে বাস কৰিবলৈ
ধৰিলে, কাৰণ তেওঁলোকে সেইসকলক বাহিৰ নকৰিলে। ৩৩ নপ্তালী
বংশৰ লোকসকলে বৈৎ-চেমচ আৰু বৈৎ-অনাৎৰ লোকসকলক বাহিৰ
নকৰিলে আৰু তেওঁলোকে সেই ঠাইৰ কনানীয়াসকলৰ মাজত বাস
কৰিবলৈ ধৰিলে; বৈৎ-চেমচ আৰু বৈৎ-অনাৎবাসীক নপ্তালীসকলৰ
বাবে কাম কৰিবলৈ বাধ্য কৰালে। ৩৪ ইমোৰীয়াসকলে দানৰ
বংশধৰসকলক পাহাৰীয়া এলেকাতে আটক কৰি বসতি কৰিবলৈ
বাধ্য কৰালে; তেওঁলোকক সমতল ভূমিলৈ নামি আহিব নিদিলে। ৩৫
ইমোৰীয়াসকলে হেৰচ পৰ্বত, অয়ালোন আৰু চালবীমত বাস কৰিবলৈ
ধৰিলে; কিন্তু যোচেফৰ বংশৰ লোকসকলৰ সৈন্য শক্তিয়ে সেইবোৰ
জয় কৰিলে আৰু ইমোৰীয়াসকলক তেওঁলোকৰ দাসৰ কাৰ্য কৰিবলৈ
বাধ্য কৰালে। ৩৬ ইমোৰীয়াসকলৰ সীমা অক্ৰব্বীম গিৰিপথৰ পৰা
চেলা পাৰ হৈ ওপৰৰ পৰ্বতীয়া অঞ্চললৈকে আছিল।

২ যিহোৱাৰ দূতে গিলগলৰ পৰা বোখীমলৈ উঠি আহি
ইস্ৰায়েলীসকলক ক'লে, "মই মিচৰ দেশৰ পৰা তোমালোকক
বাহিৰ কৰি আনিলো অাৰু যি দেশ দিম বুলি মই তোমালোকৰ
পুৰ্বপুৰুষসকলৰ আগত শপত খাইছিলোঁ, সেই দেশলৈ তোমালোকক
লৈ আহিলোঁ; মই কৈছিলোঁ, 'তোমালোকৰ সৈতে স্থাপন কৰা মোৰ
নিয়মটি মই কেতিয়াও নাভাঙিম। ২ তোমালোকেও এই দেশৰ
লোকসকলৰ সৈতে কোনো চুক্তি নকৰিবা; সিহঁতৰ বেদিবোৰ ভাঙি
পেলাবা।' কিন্তু তোমালোকে মোৰ কথালৈ কাণ নিদিলা। তোমালোকে
কিয় এনে কাৰ্য কৰিলা? ৩ এই কাৰণে মই এতিয়া তোমালোকক কওঁ
যে, 'মই তোমালোকৰ ওচৰৰ পৰা কনানীয়াসকলক দূৰ নকৰিম;
তেওঁলোক তোমালোকৰ কাৰণে কাঁইটস্বৰূপ হ'ব আৰু তেওঁলোকৰ
দেৱতাবোৰ তোমালোকৰ কাৰণে এক ফান্দ হৈ পৰিব'।" ৪ যিহোৱাৰ
দূতে ইস্ৰায়েলৰ সন্তান সকলক এইবোৰ কথা কোৱাৰ পাছত তেওঁলোক
সকলোৱে উচ্চস্বৰে কান্দিবলৈ ধৰিলে। ৫ যি ঠাইত তেওঁলোকে
কান্দিছিল সেই ঠাইৰ নাম বোখীম ৰাখিলে; তেওঁলোকে তাত যিহোৱাৰ

উদ্দেশ্যে অনেক বলি উৎসৰ্গ কৰিলে। ৬ যিহোচূৱাই ইস্ৰায়েলৰ সন্তান
সকলক নিজৰ নিজৰ ঠাইলৈ পঠিয়াই দিলে। সেইদৰে তেওঁলোক
প্ৰত্যেকেই যাক যি ভাগ দিয়া হ'ল, সেই ঠাইৰ আধিপত্য লবলৈ
গ'ল। ৭ যিহোচূৱা যিমান দিন জীয়াই আছিল, সিমান দিনলৈকে
ইস্ৰায়েলবাসীয়ে যিহোৱাৰ সেৱা কৰিছিল। যিহোচূৱাৰ মৃত্যুৰ পাছত
যিসকল বৃদ্ধলোক জীৱিত আছিল, তেওঁলোকেও নিজৰ জীৱনকালত
যিহোৱাৰ সেৱা কৰিছিল। ইস্ৰায়েলৰ লোকসকলৰ কাৰণে যিহোৱাই
যি যি মহৎ কৰ্ম কৰিছিল; সেইসকলো কৰ্ম এই বৃদ্ধলোক সকলে
দেখিছিল। ৮ নুনৰ পুত্ৰ যিহোৱাৰ দাস যিহোচূৱাৰ এশ দহ বছৰ
বয়সত মৃত্যু হ'ল। ৯ ইস্ৰায়েলবাসীয়ে যিহোচূৱাক তেওঁৰ নিজৰ
মাটিৰ সীমাৰ ভিতৰৰ তিম্নৎহেৰচ নামৰ ঠাইত মৈদাম দিলে। এই
ঠাই গাচ পৰ্ব্বতৰ উত্তৰত ইফ্ৰয়িমৰ পাহাৰীয়া অঞ্চলত আছিল। ১০
যিহোচূৱাৰ সমসাময়িক সকলো প্ৰজন্মই মৃত্যু বৰণ কৰি নিজৰ ওপৰ
পিতৃসকলৰ ওচৰলৈ যোৱাৰ পাছত পৰৱৰ্তী প্ৰজন্মৰ বৃদ্ধি হবলৈ
ধৰিলে। তেওঁলোকে যিহোৱাক নাজানিলে। যিহোৱাই ইস্ৰায়েলবাসীৰ
কাৰণে কি কৰিলে তেওঁলোকে সেইবোৰ নাজানিলে। ১১ সেয়ে
তেওঁলোকে যিহোৱাৰ দৃষ্টিত যি বেয়া তেনে আচৰণ কৰিবলৈ আৰম্ভ
কৰিলে আৰু বাল-দেৱতাবোৰৰ সেৱা-পূজা কৰিব ধৰিলে। ১২
তেওঁলোকৰ ওপৰ-পিতৃসকলৰ যিহোৱা ঈশ্বৰ, যিজনাই মিচৰ দেশৰ
পৰা তেওঁলোকক উলিয়াই আনিছিল, তেওঁক তেওঁলোকে ত্যাগ
কৰিলে। তেওঁলোকৰ চাৰিওফালে বসবাস কৰা লোক সকলৰ বিভিন্ন
দেৱ-দেবীক প্ৰণিপাত কৰি সেইবোৰৰ পাছত চলিবলৈ ধৰিলে।
তেওঁলোকে যিহোৱাৰ ক্ৰোধ প্ৰজ্বলিত কৰি তুলিলে। ১৩ তেওঁলোকে
যিহোৱাক ত্যাগ কৰি বাল-দেৱতা আৰু অষ্টাৰেৎ দেবীৰ পূজা কৰিবলৈ
ধৰিলে। ১৪ যিহোৱাৰ ক্ৰোধ ইস্ৰায়েলবাসীৰ বিৰুদ্ধে জ্বলি উঠাত
তেওঁ তেওঁলোকক লুটকাৰীসকলৰ হাতত শোধাই দিলে; সিহঁতে
তেওঁলোকক লুট কৰিলে; তেওঁলোকৰ চাৰিওকাষে থকা শত্ৰুবোৰৰ
শক্তিশালী হাতত তেওঁলোকক দাসৰূপে বেচিলে; তাতে তেওঁলোকে
শত্ৰুবোৰৰ বিৰুদ্ধে থিয় হৈ নিজক পুনৰ ৰক্ষা কৰিব নোৱাৰিলে। ১৫

যেতিয়া ইস্ৰায়েলীয়াসকল যুদ্ধলৈ যায় তেতিয়া যিহোৱাই যিদৰে শপত
খাইছিল, সেই অনুসাৰে তেওঁৰ হাত তেওঁলোকৰ পৰাজয়ৰ কাৰণে
তেওঁলোকৰ বিপক্ষে আছিল। তাৰ ফলত ইস্ৰায়েলীয়াসকল ভয়ঙ্কৰ
দুৰ্দ্দশাৰ মাজত আছিল। ১৬ তেতিয়া যিহোৱাই তেওঁলোকৰ মাজত
বিচাৰকৰ্ত্তাসকলক নিযুক্ত কৰিলে; ইস্ৰায়েলসকলক যিসকলে লুট
কৰে, তেওঁলোকৰ হাতৰ পৰা এইসকলে তেওঁলোকক উদ্ধাৰ কৰে।
১৭ কিন্তু ইস্ৰায়েলীয়াসকলে বিচাৰকৰ্ত্তাসকলৰ কথাত কাণ নিদিলে;
কিয়নো তেওঁলোক যিহোৱাৰ প্ৰতি বিশ্বাসী নাছিল আৰু আন আন
দেৱ-দেৱীৰ ওচৰত নিজকে বেচি ব্যভিচাৰ কৰিলে আৰু সেইবোৰৰ
আগত প্ৰণিপাত কৰিছিল; তেওঁলোকৰ ওপৰ পিতৃসকলে যিহোৱাৰ
আজ্ঞা পালন কৰি বাধ্যতাৰ যি পথত গমণ কৰিছিল, তেওঁলোকে
সেই পথত নচলিলে আৰু অচিৰেই সেই পথৰ পৰা আঁতৰি গ'ল। ১৮
যিহোৱাই যেতিয়া তেওঁলোকৰ কাৰণে কোনো বিচাৰকৰ্ত্তাক নিযুক্তি
দিছিল, তেতিয়া তেওঁ সেই বিচাৰকৰ্ত্তাক সহায় কৰিছিল। সেইজন
বিচাৰকৰ্ত্তা যিমান দিনলৈকে জীয়াই থাকে, সিমান দিনলৈকে যিহোৱাই
শক্ৰবোৰৰ হাতৰ পৰা ইস্ৰায়েলক উদ্ধাৰ কৰিছিল; অত্যাচাৰীবোৰৰ
হাতত উপদ্ৰৱ আৰু তাড়না পাই তেওঁলোকে যেতিয়া কন্দা-কটা
কৰে, তেতিয়া তেওঁলোকৰ প্ৰতি যিহোৱাৰ দয়া ওপজে।। ১৯ কিন্তু
সেই বিচাৰকৰ্ত্তা মৰিলেই তেওঁলোকে পুনৰ ঘূৰি দেৱ-দেৱীবোৰৰ
পাছত চলি পূজা-অৰ্চনা আৰু সেৱা-উপাসনাত ব্ৰতী হয়; তেওঁলোকে
পূৰ্বপুৰুষসকলতকৈও অধিক ভ্ৰষ্টাচাৰৰ পথলৈ উলটি যায়। তেওঁলোকে
একোতেই নিজৰ দুষ্ট অভ্যাস আৰু গোড়ামিৰ পথ নেৰে। ২০ সেয়ে
ইস্ৰায়েলৰ বিৰুদ্ধে যিহোৱাৰ ক্ৰোধ জ্বলি উঠাত তেওঁ ক'লে, “এই
জাতিৰ পূৰ্বপুৰুষসকলৰ লগত মই যি ব্যৱস্থাৰ চুক্তি কৰিছিলোঁ, তাক
এওঁলোকে উলঙ্ঘন কৰিলে আৰু মোৰ কথাও নুশুনিলে। ২১ এই
হেতুকে যিহোচূৱাৰ মৃত্যুৰ সময়ত যি সকলো অন্য জাতি এই দেশত
অৱশিষ্ট থাকি গ'ল, মই সেইসকলক ইস্ৰায়েলৰ সন্মুখৰ পৰা পুনৰ
দূৰ নকৰিম। ২২ ইস্ৰায়েলবাসীয়ে তেওঁলোকৰ পূৰ্বপুৰুষসকলে চলাৰ
দৰে যিহোৱাৰ পথত চলে নে নচলে, এইসকল জাতিৰ যোগেদিয়েই

মই তেওঁলোকৰ পৰীক্ষা কৰিম।” ২৩ এই কাৰণতে যিহোৱাই সেই জাতিবোৰক শীঘ্ৰে বাহিৰ নকৰি দেশত ৰাখি থলে। তেওঁ যিহোচূৱাৰ হাততো তেওঁলোকক সমৰ্পণ নকৰিলে।

৩ যি সকল ইস্রায়েলীয়া লোকৰ কনান দেশত যুদ্ধৰ কোনো অভিজ্ঞতা নাছিল, সেইসকলক পৰীক্ষাত পেলাবলৈ যিহোৱাই কিছুমান জাতিক সেই দেশৰ মাজত অৱশিষ্ট ৰাখিলে। ২ ইস্রায়েলৰ নতুন প্ৰজন্মৰ যিসকল সন্তানে আগৰ যুদ্ধবোৰৰ কথা নাজানিছিল, সেই ইস্রয়েলবাসীক যুদ্ধৰ বিষয়ে শিক্ষা দিবলৈ যিহোৱাই এনে কৰিলে। ৩ সেই জাতিবোৰ হ’ল, পলেষ্টীয়াসকলৰ পাঁচজন শাসনকৰ্তা, কনানীয়াসকল, চীদোনীয়া আৰু হিব্বীয়া জাতি। বাল-হৰ্মোন পাহাৰৰ পৰা লেবো-হমাত (হমাতৰ গিৰিপথ) পৰ্যন্ত লিবানোনৰ যি পাহাৰী এলেকা আছে, এই হিব্বীয়াসকলে তাতে বাস কৰিছিল। ৪ যিহোৱাই মোচিৰ দ্বাৰাই ইস্রায়েলৰ ওপৰ-পিতৃসকলক যি আজ্ঞা দিছিল, তেওঁলোকে সেইবোৰ মানি চলে নে নাই তাক পৰীক্ষা কৰিবৰ অৰ্থে এই জাতিবোৰক ৰাখি থোৱা হৈছিল। ৫ সেয়ে ইস্রায়েলবাসীয়ে কনানীয়া, হিত্তীয়া, ইমোৰীয়া, পৰিজ্জীয়া, হিব্বীয়া আৰু যিবুচীয়া লোকসকলৰ মাজত বাস কৰিবলৈ ধৰিলে; ৬ তেওঁলোকে সেই জাতিবোৰৰ ছোৱালীক বিয়া কৰিছিল আৰু নিজৰ ছোৱালীবোৰকো তেওঁলোকৰ ল’ৰাবোৰৰ সৈতে বিয়া দিছিল আৰু তেওঁলোকে সেইসকলৰ দেৱতাবোৰক পূজা কৰিবলৈ ধৰিলে। ৭ ইস্রায়েলৰ সন্তান সকলে যিহোৱাৰ সাক্ষাতে কু-আচৰণ কৰিলে আৰু তেওঁলোকৰ ঈশ্বৰ যিহোৱাক পাহৰি বাল-দেৱতাবোৰক আৰু আচেৰা মুৰ্ত্তিবোৰক পূজা কৰিবলৈ ধৰিলে। ৮ এই হেতুকে ইস্রায়েলৰ প্ৰতি যিহোৱাৰ ক্ৰোধ প্ৰজ্বলিত হ’ল আৰু তেওঁ অৰাম-নহৰয়িমৰ ৰজা কুচন-ৰিচাথয়িমৰ হাতত তেওঁলোকক তুলি দিলে। ইস্রায়েলৰ সন্তান সকল আঠ বছৰ কাল কুচন-ৰিচাথয়িমৰ অধীনত থাকিল। ৯ কিন্তু তেওঁলোকে যিহোৱাৰ আগত কাতৰোক্তি কৰাৰ পাছত, যিহোৱাই তেওঁলোকক সহায় কৰিবৰ কাৰণে এজন উদ্ধাৰকৰ্তা থিয় কৰালে; তেওঁ হ’ল কনজৰ পুত্ৰ কালেবৰ ভায়েক অৎনীয়েল। ১০ যিহোৱাৰ আত্মা অৎনীয়েলৰ ওপৰত স্থিতি হোৱাত

তেওঁ ইস্ৰায়েলৰ বিচাৰ কৰিলে। অৎনীয়েল যেতিয়া যুদ্ধলৈ ওলাই
গৈছিল, যিহোৱাই তেওঁৰ হাতত অৰামৰ ৰজা কুচন-ৰিচাথয়িমক তুলি
দিলে আৰু তেওঁক জয়ী কৰিলে। অৎনীয়েলত থকা শক্তিৰ দ্বাৰাই তেওঁ
কুচন-ৰিচাথয়িমক পৰাজিত কৰিলে। ১১ তাৰ পাছত চল্লিশ বছৰলৈকে
দেশত শান্তি আছিল; পাছত কনজৰ পুত্ৰ অৎনীয়েলৰ মৃত্যু হ'ল। ১২
ইস্ৰায়েলৰ সন্তান সকলে যিহোৱাৰ সাক্ষাতে পুনৰায় কু-আচৰণ কৰি
তেওঁৰ অবাধ্য হ'ল। ইস্ৰায়েলে কৰা দুষ্টতাৰ কাৰ্যবোৰ দেখা পাই
যিহোৱাই তেওঁলোকৰ অহিতে মোৱাবৰ ৰজা ইগ্লোনক শক্তিশালী কৰি
তুলিলে। ১৩ অম্মোনীয়া আৰু অমালেকীয়াসকলক লগত লৈ ইগ্লোনে
ইস্ৰায়েলক পৰাজিত কৰি খেজুৰ গছৰ চহৰ নিজৰ অধীনলৈ আনিলে।
১৪ তাতে ইস্ৰায়েলৰ সন্তান সকল ওঠৰ বছৰ কাল মোৱাবৰ ৰজা
ইগ্লোনৰ অধীন হৈ থাকিল। ১৫ ইয়াৰ পাছত পুনৰায় ইস্ৰায়েলৰ সন্তান
সকলে যিহোৱাৰ আগত কাতৰোক্তি কৰিবলৈ ধৰিলে আৰু যিহোৱাই
তেওঁলোকৰ কাৰণে এহূদ নামৰ এজন উদ্ধাৰকৰ্তাক পঠালে। তেওঁ
আছিল বিন্যামীনৰ বংশৰ গেৰাৰ পুতেক। তেওঁ বাওঁহতীয়া আছিল।
মোৱাবৰ ৰজা ইগ্লোনক কৰ দিবৰ কাৰণে ইস্ৰায়েলৰ সন্তান সকলে
তেওঁক পঠাইছিল। ১৬ এহূদে নিজৰ কাৰণে এখন এহাত দীঘল
দুধৰীয়া তৰোৱাল গঢ়াই সোঁ কৰঙণত কাপোৰৰ তলত তাক বান্ধি
ল'লে। ১৭ তেওঁ গৈ মোৱাবৰ ইগ্লোনক ৰজাক সেই কৰ আদায় দিলে;
এই ইগ্লোন এজন অতিশয় শকত মানুহ আছিল। ১৮ কৰ দি এটোৱাৰ
পাছত কৰ অনা লোকসকলক তেওঁ পঠাই দিলে। ১৯ কিন্তু তেওঁ নিজে
হ'লে গিলগলৰ ওচৰত প্ৰতিমা খোদাই কৰা শিলবোৰ পৰ্যন্ত গৈ ঘুৰি
আহি ক'লে, "মহাৰাজ, আপোনাক মোৰ এটা গোপন সংবাদ দিবলৈ
আছে।" ৰজাই নিজৰ লোকসকলক ক'লে, "তোমালোকে মনে মনে
থাকা"; তাতে তেওঁৰ লোকসকল কোঁঠাটোৰ পৰা গুচি গ'ল। ২০
সেই সময়ত ৰজা ওপৰ কোঁঠালিৰ ঠাণ্ডা ঘৰত অকলে বহি আছিল;
এহূদে তেওঁৰ কাষলৈ চাপি গৈ ক'লে, "আপোনাক ঈশ্বৰৰ পৰা অহা
এটি বাৰ্তা মোৰ ক'ব লগা আছে।" ৰজাই নিজৰ আসনৰ পৰা উঠি
থিয় হ'ল। ২১ তাতে এহূদে বাওঁহাত মেলি সোঁ কৰঙণৰ পৰা সেই

তৰোৱাল লৈ তেওঁৰ পেটত সোমোৱাই দিলে। ২২ নালেৰে সৈতে তৰোৱালখন পেটত সোমাই পিঠিফালে কিছু ওলাই গ'ল আৰু চৰ্বিত ঢাক খাই গ'ল; তেওঁ ইগ্লোনৰ পেটৰ পৰা তৰোৱালখন টানি বাহিৰ কৰি নুলিয়ালে। ২৩ পাছত এহূদে বাৰাণ্ডালৈ ওলাই আহিল; ওপৰ কোঁঠালিৰ দুৱাৰবোৰ বন্ধ কৰি তলা মাৰি দিলে। ২৪ এহূদ বাহিৰলৈ ওলাই যোৱাৰ পাছত ৰজাৰ ভৃত্যবোৰে আহি দেখিলে যে ওপৰ কোঁঠালিৰ দুৱাৰবোৰত তলা মাৰি বন্ধ কৰা হৈছে। সিহঁতে ক'লে, "ৰজাই নিশ্চয়ে ওপৰ কোঁঠালিৰ ঠাণ্ডা ঘৰত মলমূত্ৰ ত্যাগ কৰি আছে।" ২৫ বহু সময় ধৰি অপেক্ষা কৰিলে, কিন্তু ৰজাই দুৱাৰ নোখোলা দেখি সিহঁত চিন্তিত হ'ল আৰু সেয়ে চাবি আনি দুৱাৰ খোলাত সিহঁতৰ প্ৰভুক মজিয়াত মৃত অৱস্থাত পৰি থকা দেখিলে। ২৬ ভৃত্যবোৰে অপেক্ষাৰে কি কৰিব চিন্তা কৰি থকা সময়তে এহূদে পলাই গৈ মূৰ্ত্তি খোদাই কৰা শিলবোৰ পাৰ হৈ চিয়ীৰালৈকে গৈ ৰক্ষা পালে। ২৭ সেই ঠাই পাই তেওঁ ইফ্ৰয়িমৰ পৰ্ব্বতত শিঙা বজালে; পাছত ইস্ৰায়েলবাসীয়ে তেওঁৰে সৈতে পৰ্ব্বতৰ পৰা নামি আহিল; এহূদে তেওঁলোকৰ নেতৃত্ব দিলে। ২৮ তেওঁ তেওঁলোকক ক'লে, "মোৰ পাছে পাছে আহঁক; যিহোৱাই আপোনালোকৰ শত্ৰু মোৱাবীয়াহঁতক পৰাজিত কৰি আপোনালোকৰ হাতত তুলি দিলে।" তাতে তেওঁলোকে তেওঁৰ পাছে পাছে নামি গৈ, মোৱাবৰ ওচৰত যৰ্দ্দন নদীৰ পাৰৰ যি যি ঠাই খোজ কাঢ়ি পাৰ হ'ব পাৰি সেইবোৰ দখল কৰি ল'লে আৰু তেওঁলোকে কাকো নদী পাৰ হ'বলৈ নিদিলে। ২৯ সেই সময়ত তেওঁলোকে প্ৰায় দহ হাজাৰ মোৱবীয়া লোকক বধ কৰিলে। মোৱাবীয়াসকল হৃষ্ট-পুষ্ট বীৰ পুৰুষ আছিল; কিন্তু কোনোৱে পলাই যাব নোৱাৰিলে। ৩০ সেই দিনাই মোৱাব দেশ ইস্ৰায়েলবাসীৰ ক্ষমতাৰ অধীন কৰা হ'ল আৰু তাৰ পাছত আশী বছৰলৈকে দেশত শান্তি বিৰাজ কৰিলে। ৩১ এহূদৰ পাছত, অনাতৰ পুত্ৰ চমগৰ বিচাৰকৰ্তা হ'ল; তেওঁ গৰু খেদোৱা লাঠিৰে পলেষ্টীয়াসকলৰ ছশ লোকক বধ কৰিছিল। তেৰোঁ ইস্ৰায়েলবাসীক দুৰ্যোগৰ পৰা নিস্তাৰ কৰিছিল।

**4** এহূদৰ মৃত্যুৰ পাছত, ইস্রায়েলৰ সন্তান সকলে পুনৰ যিহোৱাৰ
দৃষ্টিত আকৌ কু-আচৰণ কৰিলে। ২ তেতিয়া যিহোৱাই হাচোৰত
শাসন কৰা যাবীন নামৰ এজন কনানীয়া ৰজাৰ হাতত তেওঁলোকক
তুলি দিলে; তেওঁৰ সেনাপতিজনৰ নাম আছিল চীচৰা। চীচৰাই অনা-
ইস্রায়েলী লোক বাস কৰা হৰোচৎ হোহোইমত বাস কৰিছিল। ৩
সেই সেনাপতিৰ নশ লোহাৰ ৰথ আছিল আৰু তেওঁ বিশ বছৰলৈকে
ইস্রায়েলীয়া লোক সকলৰ ওপৰত অতিশয় উৎপীড়ন চলাইছিল।
সেয়ে, ইস্রায়েলবাসীয়ে যিহোৱাৰ ওচৰত সহায় বিচাৰি কাতৰোক্তি
কৰিবলৈ ধৰিলে। ৪ সেই সময়ত লপ্পীদোতৰ ভাৰ্যা দবোৰা নামৰ
এগৰাকী মহিলা ভাববাদী আছিল। তেওঁ তেতিয়া ইস্রায়েলৰ বিচাৰকৰ্তা
আছিল। ৫ তেওঁ ইফ্ৰয়িমৰ পৰ্ব্বতীয়া অঞ্চলৰ ৰামা আৰু বৈৎএলৰ
মাজৰ দবোৰাৰ খাজুৰ গছ নামেৰে জনাজাত খাজুৰ গছৰ তলত বহে
আৰু ইস্রায়েলৰ সন্তান সকলে নিজৰ কাজিয়া-পেচালৰ মীমাংসাৰ
কাৰণে তেওঁৰ গুৰিলৈ আহে। ৬ তেওঁ নপ্তালী দেশৰ কেদচৰ পৰা
অবীনোৱমৰ পুত্ৰ বাৰাকক মাতি আনি ক'লে, "ইস্রায়েলৰ ঈশ্বৰ
যিহোৱাই আপোনাক এই আজ্ঞা দিছে, 'তুমি নপ্তালীৰ আৰু জবূলূনৰ
বংশৰ দহ হাজাৰ লোক লগত লৈ তাবোৰ পৰ্ব্বতৰ ফালে যোৱা। ৭ মই
যাবীনৰ সেনাপতি চীচৰাক, তেওঁৰ ৰথ আৰু সৈন্যদলৰ সৈতে কীচোন
নদীৰ ওচৰলৈ লৈ যাম আৰু মই তোমাক তেওঁৰ ওপৰত জয়যুক্ত
কৰিম'।" ৮ তেতিয়া বাৰাকে দাবোৰাক ক'লে, "আপুনি যদি মোৰ
লগত যায়, তেতিয়াহে মই যাম; কিন্তু যদি আপুনি নাযায়, তেনেহ'লে
মই নাযাওঁ।" ৯ তেওঁ ক'লে, "ঠিক আছে, মই আপোনাৰ লগত নিশ্চয়ে
যাম। কিন্তু এই যুদ্ধ-যাত্ৰাৰ গৌৰৱ হ'লে আপুনি নাপাব; কিয়নো
যিহোৱাই এগৰাকী মহিলাৰ শক্তিৰ দ্বাৰাই চীচৰাক পৰাস্ত কৰিব।"
তাৰ পাছত দবোৰাই উঠি বাৰাকেৰে সৈতে কেদচলৈ গ'ল। ১০
বাৰাকে জবূলূন আৰু নপ্তালী বংশৰ লোক সমূহক কেদচলৈ একলগে
মাতি আনিলে। দহ হাজাৰ লোক তেওঁৰ লগত গ'ল আৰু দবোৰাও
তেওঁৰ লগত গ'ল। ১১ সেই সময়ত হেবৰ নামৰ কেনীয়া সম্প্ৰদায়ৰ
এজন লোক আছিল; তেওঁ অন্যান্য কেনীয়াসকলক এৰি নিজে পৃথকে

আছিল। কেনীয়াসকল আছিল মোচিৰ শহুৰেক হোববৰ উত্তৰপুৰুষ। হেবৰে কেদচৰ ওচৰৰ চনন্নীমত থকা ওক গছৰ দাঁতিত নিজৰ তম্বু তৰিছিল। ১২ চীচৰাই এই খবৰ পালে যে, অবীনোৱমৰ পুত্ৰ বাৰাক তাবোৰ পৰ্ব্বতলৈ উঠি গৈছে। ১৩ চীচৰাই তেতিয়া নিজৰ নশ লোহাৰ ৰথ আৰু তেওঁৰ লগত থকা সকলো সৈন্যকে গোটাই লৈ অনা-ইস্ৰায়েলী জাতিৰ হৰোচৎৰ পৰা কীচোন নদীৰ পাৰলৈ আহিল। ১৪ তেতিয়া দবোৰাই বাৰাকক ক'লে, "আপুনি আগবাঢ়ি যাওঁক! কিয়নো চীচৰাক পৰাজয় কৰিবৰ কাৰণে যিহোৱাই আজিয়েই এই সময় আপোনাক দিছে; যিহোৱাই জানো আপোনাক পথ দেখুৱাই নিয়া নাই?" তেতিয়া বাৰাক আৰু তেওঁৰ পাছে পাছে যোৱা দহ হাজাৰ লোক তাবোৰ পৰ্ব্বতৰ পৰা নামিল। ১৫ বাৰাকৰ লোকসকলে যেতিয়া তেওঁলোকক আক্ৰমণ কৰিলে, তেতিয়া যিহোৱাই চীচৰা, তেওঁৰ সকলো ৰথবোৰ আৰু সৈন্যসামন্তক বিভ্ৰান্ত কৰি তুলিলে; তাতে চীচৰাই ৰথৰ পৰা নামি দৌৰি পলাই গ'ল। ১৬ কিন্তু বাৰাকে অনা-ইস্ৰায়েলীৰ হৰোচৎ পৰ্যন্ত তেওঁলোকৰ ৰথ আৰু সৈন্যসামন্তৰ পাছে পাছে খেদি গ'ল; চীচৰাৰ সকলো সৈন্যকে তৰোৱালেৰে আঘাত কৰি বধ কৰা হ'ল, এজন লোকো বাচি নাথাকিল। ১৭ কিন্তু চীচৰাই দৌৰি পলাই গৈ সেই কেনীয়া হেবৰৰ ভাৰ্য্যা যায়েলৰ তম্বুলৈ আহিল; কাৰণ সেই সময়ত হাচোৰৰ ৰজা যাবীন আৰু কেনীয়া হেবৰৰ বংশৰ মাজত বন্ধুত্ব আছিল। ১৮ যায়েলে চীচৰাক আগবঢ়ায় আনিবলৈ ওলাই গৈ তেওঁক ক'লে, "হে মোৰ প্ৰভু, ভিতৰলৈ আহঁক, মোৰ ভিতৰলৈকে আহঁক, ভয় নকৰিব।" তাতে চীচৰা যায়েলৰ তম্বুৰ ভিতৰলৈ গ'ল আৰু যায়েলে এখন কম্বলেৰে চীচৰাক ঢাকি দিলে। ১৯ চীচৰাই তেওঁক ক'লে, "মোৰ পিয়াহ লাগিছে, অনুগ্ৰহ কৰি মোক অলপ পানী পিবলৈ দিয়া।" যায়েলে এটা গাখীৰৰ মোট মেলি তেওঁক পান কৰিবলৈ দি পাছত আকৌ তেওঁক ঢাকি ৰাখিলে। ২০ চীচৰাই তেওঁক ক'লে, "তুমি তম্বুৰ দুৱাৰ মুখত থিয় হৈ থাকা; যদি কোনো মানুহে আহি তোমাক সোধে, ইয়াতে কোনো মানুহ আছেনে? তুমি 'নাই' বুলি কবা।" ২১ পাছত চীচৰা তাতে গভীৰ নিদ্ৰা গ'ল; এনে সময়তে হেবৰৰ ভাৰ্য্যা যায়েলে তম্বুৰ

এটা খুটি আৰু হাতুৰী হাতত ল’লে আৰু তাৰ পাছত মনে মনে তেওঁৰ
ওচৰলৈ গৈ তেওঁৰ মূৰৰ একাষে সেই খুটি হাতুৰিৰে সুমুৱাই দিলে;
খুটিটো মূৰৰ মাজেদি ওলাই মাটিত গৈ হানিলে। এইদৰে চীচৰাৰ
মৃত্যু হ’ল। ২২ বাৰাকে চীচৰাৰ পাছে পাছে খেদি আহি সেই ঠাই
পালে। যায়েলে তেওঁক মাতি আনিবলৈ বাহিৰলৈ ওলাই গৈ ক’লে,
“আহঁক, আপুনি বিচাৰি ফুৰা মানুহজনক মই দেখুৱাই দিম।” তাতে
বাৰাকে তেওঁৰ লগত তম্বুৰ ভিতৰলৈ সোমাই দেখিলে যে, চীচৰা মৰি
পৰি আছে আৰু তেওঁৰ মূৰৰ কাষেদি তম্বুৰ খুটি সোমোৱা আছে।
২৩ এইদৰে যিহোৱাই সেইদিনা ইস্ৰায়েলৰ সন্তান সকলৰ সন্মুখত
কনানৰ ৰজা যাবীনক পৰাস্ত কৰিলে। ২৪ শেষত যাবীন ৰজাৰ বিনাশ
নোহোৱালৈকে ইস্ৰায়েলৰ সন্তান সকল দিনে দিনে তেওঁৰ বিৰুদ্ধে
অধিক শক্তিশালী হৈ উঠিল।

৫ সেইদিনাখন দবোৰা আৰু অবীনোৱমৰ পুত্ৰ বাৰাকে এই গীত
গালে, ২ “নেতাসকলে ইস্ৰায়েলৰ লোকক যুদ্ধত পৰিচালনা কৰিলে,
লোকসকলে স্বেচ্ছায় আনন্দেৰে আগবাঢ়ি গ’ল - আমি যিহোৱাৰ
প্ৰশংসা গীত কৰোঁ! ৩ হে ৰজাসকল শুনা! নেতাসকল, মনোযোগ
দিয়া! মই, ময়েই যিহোৱাৰ উদ্দেশ্যে গান কৰিম; মই ইস্ৰায়েলৰ ঈশ্বৰ
যিহোৱাৰ উদ্দেশ্যে প্ৰশংসাৰ গীত গাম। ৪ হে যিহোৱা, তুমি যেতিয়া
চেয়ীৰৰ পৰা ওলাই আহিছিলা, ইদোমৰ পৰা আগুৱাই আহিছিলা,
পৃথিৱী কঁপি উঠিছিল, আকাশে গৰজি উঠিছিল, এনেকি মেঘেও জল
বৰষালে। ৫ যিহোৱাৰ সাক্ষাতে পৰ্বতমালা কঁপি উঠিছিল; এনেকি
ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাৰ সাক্ষাতে চীনয় পৰ্বত কঁপি উঠিল। ৬
চমগৰ আৰু যায়েলৰ দিনত ৰাজআলিবোৰ জনশূণ্য হৈ পৰিছিল আৰু
পথিকসকলে বেঁকা বাটেদি যাতায়ত কৰিছিল। ৭ মই, দবোৰাই
নেতৃত্ব নিদিয়ালৈকে, ইস্ৰায়েলৰ ভূমিত কৃষকসকল নাছিল, মই
ইস্ৰায়েলবাসীৰ মাতৃৰ দৰে হ’লো। ৮ লোকসকলে নতুন দেৱতাবোৰক
মনোনীত কৰিছিল; তেতিয়া নগৰৰ দুৱাৰত যুদ্ধ লাগিল। চল্লিশ হাজাৰ
ইস্ৰায়েল লোকৰ মাজত এখনো ঢাল বা এপাত যাঠি দেখা পোৱা
নাছিলো। ৯ মোৰ মন ইস্ৰায়েলৰ নেতাসকলৰ লগতে আছে, যিসকলে

স্বেচ্ছায় আনন্দেৰে যুদ্ধলৈ গৈছিল, সেইসকলৰ বাবে আমি যিহোৱাৰ
ধন্যবাদ কৰোঁ! ১০ তোমালোক যিসকলে বগা গাধত উঠি, পিঠিত
আসনৰ বাবে কম্বলৰ গদিত বহি ঘূৰি ফুৰা আৰু তোমালোক যিসকলে
পথত খোজ কাঢ়ি ফুৰা, তোমালোকে এই সকলো বিষয়ে ভাবা! ১১
তোমালোকে পশুবোৰে পানী পিবলৈ অহা ঠাইত ধনুৰ্ধৰসকলৰ মাত
কথা শুনা, তাত তেওঁলোকে যিহোৱাৰ ধাৰ্মিকতাৰ কাৰ্যবোৰৰ কথা
পুনৰ কয়, আৰু ইস্রায়েলত যিহোৱাৰ সৈনিকসকলে কৰা ধাৰ্মিকতাৰ
কাৰ্যবোৰ বৰ্ণনা কৰে। “তাৰ পাছত যিহোৱাৰ সন্তানসকল নগৰৰ
দুৱাৰবোৰলৈ নামি গ’ল। ১২ সাৰ পোৱা দবোৰা, সাৰ পোৱা! সাৰ
পোৱা, সাৰ পোৱা, গীতগান কৰা! হে অবীনোৱমৰ পুত্ৰ বাৰাক, উঠা
আৰু যুদ্ধত যিসকলক তোমালোকে ধৰিলা, বন্দী কৰি লৈ যোৱা। ১৩
তাৰ পাছত জীয়াই থকা লোকসকল গণ্য-মান্য লোকৰ ওচৰলৈ নামি
আহিল; যিহোৱাৰ লোকসকলে যুদ্ধ কৰিবৰ বাবে মোৰ ওচৰলৈ নামি
আহিল। ১৪ কিছু লোক আহিল ইফ্রয়িমৰ পৰা, য’ত অমালেকীয়াসকলে
বাস কৰিছিল; তোমালোকৰ পাছে পাছে বিন্যামীন বংশৰ লোক
আহিল; মাখীৰৰ পৰা সেনাপতিসকল নামি আহিল; আৰু জবূলূনৰ
বংশৰ লোকসকলে শাসনকৰ্তাৰ দণ্ড লৈ নামি আহিল। ১৫ ইচাখৰৰ
মুখ্য লোকসকল দবোৰাৰ লগত আছিল আৰু ইচাখৰ বাৰাকৰ লগত
আছিল। বাৰাকৰ পাছে পাছে দৌৰি লোকসকলে শীঘ্রে উপত্যকালৈ
নামি গ’ল। ৰূবেণৰ ফৈদৰ মাজত অনেক দৃঢ়মনৰ লোক আছিল।
১৬ তোমালোকে মেৰ-ছাগ ৰখীয়াবোৰৰ বাঁহীৰ শব্দ শুনি শুনি কিয়
মেৰ-ছাগৰ জুহালৰ মাজত বহি আছিলা? যিহেতু ৰূবেণৰ বংশত
অনেক দৃঢ়মনা লোক আছিল। ১৭ গিলিয়দৰ বংশৰ লোকসকল যৰ্দ্দনৰ
সিপাৰে বাস কৰিলে; আৰু দান ফৈদৰ লোকে কিয় জাহাজৰ কাষত
বাস কৰিলে? আচেৰৰ লোকসকল সমুদ্ৰৰ তীৰত থাকি বন্দৰবোৰৰ
কাষত বাস কৰিলে। ১৮ জবূলূন আৰু নপ্তালীৰ ফৈদ ৰণস্থলীত
প্ৰাণক মৰণলৈকে তুচ্ছ জ্ঞান কৰা লোক। ১৯ ৰজাসকলে আহি যুদ্ধ
কৰিলে; কনানৰ ৰজাসকলে যুদ্ধ কৰিলে; মগিদ্দোৰ পানীৰ কাষত
থকা তানকত তেওঁলোকে যুদ্ধ কৰিলে; কিন্তু তেওঁলোকে কোনো ৰূপ

লুটি নিব নোৱাৰিলে। ২০ আকাশৰ পৰা তৰাবোৰে যুদ্ধ কৰিলে; নিজ
নিজ পথবোৰৰ পৰা তৰাবোৰে চীচৰাৰ বিৰুদ্ধে যুদ্ধ কৰিলে। ২১
কীচোন নদীয়ে সিহঁতক উটাই নিলে; সেই প্ৰাচীন কালৰ নদীৰপানী,
কীচোন নদীয়ে শত্ৰুবোৰক উটুৱাই নিলে। হে মোৰ মন, শক্তিশালী হৈ
আগবাঢ়া। ২২ তেতিয়া ঘোঁৰাবোৰৰ খুৰাৰ আঘাতত মাটি কঁপি উঠিল;
তেওঁৰ শক্তিশালী ঘোঁৰাবোৰে চেঁকুৰি দৌৰিবলৈ ধৰিলে। ২৩ যিহোৱাৰ
দূতে কৈছে, মেৰোজ চহৰক অভিশাপ দিয়া! তাৰ নিবাসীসকলক
অতিশয় শাও দিয়া! কিয়নো সিহঁত যিহোৱাৰ সহায়ৰ অৰ্থে নাহিল-
বীৰসকলৰ বিৰুদ্ধে যুদ্ধত যিহোৱাক সহায় কৰিবলৈ নাহিল। ২৪
কেনীয়া হেবৰৰ ভাৰ্যা যায়েল, আন মহিলাসকলতকৈ ধন্যা মহিলা;
তেওঁ সকলো তম্বুবাসী মহিলাতকৈও অতি ধন্যা। ২৫ চীচৰাই পানী
খুজিলত তেওঁ গাখীৰ দিলে; এটি ৰাজকীয় পাত্ৰত তেওঁ ঘন গাখীৰ
আনি দিলে। ২৬ তেওঁ তম্বু বন্ধা খুটিটোলৈ নিজৰ হাত মেলিলে, বনুৱাৰ
হাতুৰীটো সোঁ হাতত ল'লে; চীচৰাক হাতুৰীৰে আঘাত কৰি তেওঁৰ মূৰ
ভাঙিলে; মূৰৰ কাষেদি খুঁটি বিন্ধাই চীচৰাৰ মূৰৰ লাওখোলা গুড়ি
কৰিলে। ২৭ তেওঁৰ ভৰিৰ ওচৰত মূৰ গুজি চীচৰা পৰি গ'ল, আৰু য'ত
পৰিছিল, তাতে পৰি থাকিল। ভৰিৰ ওচৰত যি ঠাইত পৰিছিল, সেই
ঠাইতে তেওঁক নিশংসভাবে বধ কৰা হ'ল। ২৮ চীচৰাৰ মাতৃয়ে এখন
খিড়িকিয়েদি জুমি চালে - তেওঁ জালিকটা খিড়িকিৰে চাই চিঞৰি
ক'লে, "চীচৰাৰ ৰথ আহিবলৈ কিয় ইমান পলম হৈছে? তেওঁৰ ৰথবোৰ
টনা ঘোঁৰাবোৰৰ চেকুৰাৰ শব্দ কিয় এতিয়ালৈকে শুনা নাই?" ২৯
তেওঁৰ জ্ঞানৱতী লিগিৰীবোৰে উত্তৰ দিলে আৰু তেৰোঁ একে উত্তৰকে
নিজকে নিজে দিলে: ৩০ তেওঁলোকে লুটদ্ৰব্য পাই ভাগ কৰা নাই
নেকি? - প্ৰতিজন পুৰুষৰ কাৰণে এজনী বা দুজনী ৰমণী; চীচৰাৰ
কাৰণে খমখমীয়া ৰঙীণ পোছাক, ফুল কৰা ৰঙীণ পোছাক, মোৰ
ডিঙিৰ চৌপাশে ফুল বচা দুটাকৈ পোছাক- ৩১ হে যিহোৱা, তোমাৰ
সকলো শত্ৰুবোৰ যেন এনেদৰেই বিনষ্ট হয়! কিন্তু যিসকলে তোমাক
প্ৰেম কৰে, সেইসকল যেন প্ৰতাপেৰে উদয় হোৱা সূৰ্যৰ নিচিনা হৈ
উঠে। ইয়াৰ পাছত দেশত চল্লিশ বছৰলৈকে শান্তি আছিল।

৬ পাছত ইস্রায়েলৰ সন্তান সকলে পুনৰ যিহোৱাৰ সাক্ষাতে কু-আচৰণ
কৰিবলৈ ধৰিলে। তাতে যিহোৱাই তেওঁলোকক মিদিয়নীয়াসকলৰ
হাতত শোধাই দিলে আৰু তেওঁলোক সাত বছৰ ধৰি তেওঁলোকৰ অধীন
হৈ থাকিল। ২ মিদিয়নীয়াসকল শক্তিশালী হোৱাত ইস্রায়েলবাসীক
তেওঁলোকে অত্যাচাৰ কৰিবলৈ ধৰিলে; মিদিয়নৰ ভয়তে ইস্রায়েলৰ
সন্তান সকলে পাহাৰৰ মাজৰ ফাঁক, গুহা আৰু দুৰ্গবোৰ আশ্ৰয়ৰ ঠাই
কৰি ল'লে। ৩ ইস্রায়েলীয়াসকলে যেতিয়া নিজৰ কঠীয়া সিচেঁ, সেই
সময়ত মিদিয়নীয়া, অমালেকীয়া, আৰু পূব দেশৰ লোকসকলে আহি
তেওঁলোকক আক্ৰমণ কৰে। ৪ তেওঁলোকে ছাউনি পাতি গাজালৈকে
গোটেই ভূমিৰ শস্য নষ্ট কৰি দিয়ে; তেওঁলোকে ইস্রায়েলীসকলে খাবৰ
বাবে খোৱা-বস্তুৰ একো অৱশিষ্ট নাৰাখে; তেওঁলোকে মেৰ-ছাগ,
পশুধন বা গাধ এইবোৰো লৈ যায়। ৫ তেওঁলোকে নিজৰ পশুধন
আৰু তম্বু লগত লৈ ফৰিঙৰ জাকৰ দৰে আহে; তেওঁলোকৰ লোক
আৰু উট গণিব নোৱাৰাকৈ অসংখ্য আছিল; তেওঁলোকে দেশখন
উচ্ছন্ন কৰিবলৈকে সোমায়। ৬ মিদিয়নীয়াই ইস্রায়েলীয়াসকলৰ
অৱস্থা অতিশয় শক্তিহীন কৰি তুলিলে; তেওঁলোকে যিহোৱাৰ ওচৰত
বৰকৈ কান্দিবলৈ ধৰিলে। ৭ ইস্রায়েলৰ সন্তান সকলে মিদিয়নৰ
কাৰণে যিহোৱাৰ আগত কাতৰোক্তি কৰিবলৈ ধৰিলে। ৮ তেতিয়া
যিহোৱাই ইস্রায়েলৰ সন্তান সকলৰ ওচৰলৈ এজন ভাববাদী পঠালে;
তেওঁ তেওঁলোকক ক'লে, "ইস্রায়েলৰ ঈশ্বৰ যিহোৱাই এই কথা
কৈছে: ক্ৰীতদাসৰ গৃহ মিচৰ দেশৰ পৰা মইয়ে তোমালোকক
উলিয়াই আনিলো। ৯ মিচৰীয়াসকলৰ ক্ষমতা আৰু তোমালোকক
উপদ্ৰৱ কৰাসকলৰ হাতৰ পৰা মইয়ে তোমালোকক উদ্ধাৰ কৰিলোঁ।
মই তেওঁলোকক তোমালোকৰ সন্মুখৰ পৰা খেদাই তেওঁলোকৰ
ভূমি তোমালোকক দিলোঁ। ১০ মই তোমালোকক কৈছিলোঁ, 'মই
তোমালোকৰ ঈশ্বৰ যিহোৱা; মই তোমালোকক আজ্ঞা দিছিলোঁ যে
যিসকলৰ ভূমিত তোমালোকে বাস কৰিছা সেই ইমোৰীয়াসকলৰ
দেৱ-দেৱীৰ পূজা তোমালোকে নকৰিবা'। কিন্তু তোমালোকে মোৰ
কথা নুশুনিলা।" ১১ সেই সময়ত যিহোৱাৰ দূতে আহি অফ্ৰাত থকা

ওক গছৰ তলত বহিল। এই ঠাই অবীয়েজ্ৰীয়া বংশৰ যোৱাচৰ অধীনত আছিল। তাত যোৱাচৰ পুত্ৰ গিদিয়োনে মিদিয়নীয়াসকলৰ পৰা শস্য লুকুৱাই ৰাখিবৰ বাবে দ্ৰাক্ষাগুটি মৰা ঠাইত ঘেঁহুধান মাৰি আছিল। ১২ এনে সময়তে যিহোৱাৰ দূতে গিদিয়োনক দৰ্শন দি ক'লে, "হে শক্তিশালী যোদ্ধা, যিহোৱা তোমাৰ লগত আছে!" ১৩ গিদিয়োনে তেওঁক ক'লে, "কিন্তু হে মোৰ প্ৰভু, যিহোৱা যদি আমাৰ লগত আছে, তেনেহ'লে কিয় আমালৈ এইবোৰ ঘটিল? 'যিহোৱায়ে জানো আমাক মিচৰৰ পৰা অনা নাছিল?' এই কথা আমাৰ ওপৰ-পিতৃসকলে কৈছিল। তেওঁ কৰা যিবোৰ আচৰিত কাৰ্যৰ বিষয়ে আমাক কৈছিল, সেইবোৰ এতিয়া ক'ত? কিন্তু এতিয়া তেওঁ আমাক ত্যাগ কৰিলে আৰু মিদিয়নীয়াসকলৰ হাতত সমৰ্পণ কৰিলে।" ১৪ যিহোৱাই তেওঁৰ ফালে চাই ক'লে, "তোমাৰ নিজৰ এই শক্তিতেই তুমি যোৱা আৰু মিদিয়নীয়াসকলৰ হাতৰ পৰা ইস্ৰায়েলক উদ্ধাৰ কৰা। মই তোমাক জানো পঠোৱা নাই?" ১৫ গিদিয়োনে তেওঁক ক'লে, "কিন্তু হে মোৰ প্ৰভু, মই কেনেকৈ ইস্ৰায়েলক উদ্ধাৰ কৰিম? চাওক, মনচি ফৈদৰ মাজত মোৰ পৰিয়ালেই হৈছে সকলোতকৈ দুৰ্ব্বল। ইয়াৰ উপৰি মোৰ পিতৃ বংশত মইয়ে সবাতোকৈ গুৰুত্বহীন ব্যক্তি।" ১৬ যিহোৱাই তেওঁক ক'লে, "মই তোমাৰ সঙ্গত থাকিম, তাতে তুমি সকলো মিদিয়নীয়া সৈন্যক পৰাজিত কৰিবা।" ১৭ গিদিয়োনে তেওঁক ক'লে, "মই যদি আপোনাৰ দৃষ্টিত অনুগ্ৰহ প্ৰাপ্ত হৈছোঁ, তেনেহ'লে আপুনি যে মোৰে সৈতে কথা পাতিছে, ইয়াৰ এটা চিন মোক দিয়ক। ১৮ দয়া কৰি মই ঘূৰি আহি আপোনাৰ আগত মোৰ উপহাৰ উৎসৰ্গ নকৰা পৰ্যন্ত আপুনি ইয়াৰ পৰা নাযাব।" যিহোৱাই ক'লে, "তুমি উলটি নহা পৰ্যন্ত মই অপেক্ষা কৰিম।" ১৯ তেতিয়া গিদিয়োনে গৈ এটা ছাগলী পোৱালি ৰান্ধিলে আৰু এক ঐফা আটাগুৰি লৈ খমিৰ নিদিয়াকৈ কেইটামান পিঠা বনালে; তাৰ পাছত মাংসখিনি এটা খৰাহিত ভৰাই জোলখিনি পাত্ৰত লৈ ওক গছজোপাৰ তলত তেওঁক আনি দিলে। ২০ তাতে ঈশ্বৰৰ দূতে তেওঁক ক'লে, "মাংস আৰু খমিৰ নোহাৱা পিঠা কেইটা লৈ এই শিলটোৰ ওপৰত থোৱা, আৰু জোলখিনি তাৰ

ওপৰত ঢালি দিয়া।” গিদিয়োনে সেইদৰেই কৰিলে। ২১ তেতিয়া যিহোৱাৰ দূতজনৰ হাতত যি লাঠি আছিল, সেই লাঠিডালৰ আগটোৰে তেওঁ সেই মাংস আৰু খমীৰ নোহোৱা পিঠাখিনি স্পৰ্শ কৰিলে; তাতে সেই শিলৰ পৰা অগ্নি ওলাই মাংস আৰু পিঠাখিনি পুৰি পেলালে। পাছত যিহোৱাৰ দূত অদৃশ্য হৈ গ'ল; গিদিয়োনে তেওঁক পুনৰ দেখা নাপালে। ২২ গিদিয়োনে তেতিয়া তেওঁ যে যিহোৱাৰ দূত আছিল সেই বিষয়ে বুজি পাই ক'লে, “অহ, প্ৰভু যিহোৱা, মই যিহোৱাৰ দূতক সন্মুখা-সন্মুখিকৈ দেখা পালোঁ!” ২৩ তেতিয়া যিহোৱাই তেওঁক ক'লে, “তোমাৰ শান্তি হওক! ভয় নকৰিবা, তুমি নমৰিবা।” ২৪ তাৰ পাছত গিদিয়োনে সেই ঠাইতে যিহোৱাৰ অৰ্থে এটা বেদী নিৰ্ম্মাণ কৰি তাৰ নাম দিলে ‘যিহোৱা চালোম’; অবীয়েজ্ৰীয়া বংশৰ অফ্ৰা চহৰত সেই বেদী আজিও আছে। ২৫ সেইদিনা ৰাতি যিহোৱাই গিদিয়োনক ক'লে, “তোমাৰ পিতৃৰ ভতৰাবোৰৰ পৰা দ্বিতীয় ষাঁড়টো লোৱা, যিটোৰ বয়স সাত বছৰ হৈছে। তাৰ পাছত বাল দেৱতাৰ উদ্দেশ্যে যি বেদী তোমাৰ পিতৃৰ আছে, সেই বেদী তুমি ভাঙি পেলোৱা আৰু তাৰ ওচৰতে থকা আচেৰা দেৱীৰ পূজা কৰা খুঁটি কাটি পেলোৱা। ২৬ তাৰ পাছত এই পাহাৰৰ ওপৰত তোমাৰ ঈশ্বৰ যিহোৱাৰ উদ্দেশ্যে ভালদৰে এটা বেদী নিৰ্ম্মাণ কৰা। পাছত দ্বিতীয় ভতৰাটো লৈ সেই আচেৰা মূৰ্ত্তিৰ খুটিৰ যি কাঠ তুমি কাটিবা তাক জ্বলাই হোম-বলি উৎসৰ্গ কৰা। ২৭ তেতিয়া গিদিয়োনে নিজৰ দাসবোৰৰ মাজৰ দহ জনক লগত ল'লে আৰু যিহোৱাৰ কথা অনুসাৰে কাৰ্য কৰিলে; কিন্তু নিজৰ পৰিয়াল আৰু নগৰৰ লোকসকলৰ ভয়ত তেওঁ সেই কাম দিনৰ ভাগত নকৰি ৰাতি কৰিলে।” ২৮ ৰাতিপুৱা যেতিয়া নগৰৰ লোকসকলে উঠি দেখিলে যে, বাল দেৱতাৰ বেদী ভাঙি পেলোৱা হৈছে আৰু তাৰ ওচৰত থকা আচেৰা দেৱীৰ খুটিও কাটি পেলোৱা হৈছে; আৰু এটা নতুনকৈ সজা বেদীৰ ওপৰত দ্বিতীয় ভতৰাটোৰ বলি উৎসৰ্গ কৰা হৈছে। ২৯ তেতিয়া তেওঁলোকে এজনে আন জনক সুধিলে, “এই কাম কোনে কৰিলে?” এইদৰে পাছত তেওঁলোকে ভালদৰে সোধ-পোছ কৰি বিচাৰ কৰাত জানিব পাৰিলে যে, যোৱাচৰ পুত্ৰ গিদিয়োনে এই

কাম কৰিলে। ৩০ তাৰ পাছত নগৰৰ মানুহবোৰে যোৱাচক ক'লে, "তোমাৰ পুত্ৰক বাহিৰলৈ উলিয়াই আনা, সি মৰিব লাগে; কিয়নো সি বাল-দেৱতাৰ বেদী ভাঙিলে আৰু তাৰ ওচৰত থকা আচেৰাৰ খুঁটি কাটি পেলাইছে।" ৩১ তেতিয়া যোৱাচে তেওঁৰ বিৰুদ্ধে থিয় হৈ থকা লোকসকলক ক'লে, "আপোনালোকেই বাল-দেৱতাৰ হৈ ওকালতি কৰিব নেকি? আপোনালোকেই তেওঁক ৰক্ষা কৰিব নেকি? যদি কোনোৱে তেওঁৰ হৈ বিবাদ কৰে, তেওঁক কালি ৰাতিপুৱা হোৱাৰ আগেয়ে প্ৰাণ দণ্ড দিয়া হওঁক; বাল যদি সঁচাই দেৱতা হয়, তেন্তে কোনোবাই যদি তেওঁৰ বেদী ভাঙিছে, তেওঁ নিজেই নিজৰ পক্ষে ওকালতি কৰক।" ৩২ এই হেতুকে, সেইদিনা গিদিয়োনৰ নাম দিয়া হ'ল "যিৰুব্বাল"; গিদিয়োনে বালৰ বেদী ভঙাৰ কাৰণে যোৱাচে ক'লে, "গিদিয়োনৰ বিপক্ষে বাল দেৱতাই নিজৰ পক্ষে বিবাদ কৰক।" ৩৩ পাছত সকলো মিদিয়োনীয়া, অমালেকীয়া, আৰু পুব দেশৰ লোকসকল একগোট হ'ল আৰু যৰ্দ্দন নদী পাৰ হৈ যিজ্ৰিয়েল উপত্যকাত ছাউনি পাতিলে। ৩৪ তেতিয়া গিদিয়োনক সহায় কৰিবলৈ যিহোৱাৰ আত্মাই তেওঁত স্থিতি ল'লে; গিদিয়োনে শিঙা বজাই অবীয়েজ্ৰীয়া ফৈদৰ লোকসকলক তেওঁৰ পাছত আহিবৰ কাৰণে বাহিৰলৈ মাতিলে। ৩৫ তেওঁ মনচিৰ সকলো ফাললৈ বাৰ্তাবাহক পঠালে আৰু তেওঁলোককো তেওঁৰ পাছত আহিবলৈ মাতিলে। তেওঁ আচেৰ, জবূলূন, আৰু নপ্তালী ফৈদৰ লোকসকলোলৈও বাৰ্তাবাহক পঠালে। তাতে তেওঁলোকে তেওঁলোকৰ সঙ্গী হ'বলৈ উঠি আহিল। ৩৬ তাৰ পাছত গিদিয়োনে ঈশ্বৰক ক'লে, "আপুনি কোৱাৰ দৰে যদি আপুনি মোৰ হাতেৰে ইস্ৰায়েলক উদ্ধাৰ কৰিবলৈ ইচ্ছা কৰিছে, ৩৭ তেন্তে চাওঁক, মই মৰণা মৰা খলাত মেৰ-ছাগৰ পৰা কটা নোমখিনি থ'ম; যদি অকল সেই নোমৰ ওপৰতে নিয়ৰ পৰে আৰু বাকী সকলো মাটি শুকানে থাকে, তেন্তে মই বুজিম যে আপুনি যিদৰে কৈছে, সেইদৰে আপুনি মোৰ হাতেৰে ইস্ৰায়েলক উদ্ধাৰ কৰিব।" ৩৮ পাছত সেইদৰেই ঘটিল; পিছদিনা পুৱাই উঠি গিদিয়োনে সেই নোম চেপিলে আৰু নোমৰ নিয়ৰৰ পৰা এবাতি পানী উলিয়ালে। ৩৯ তেতিয়া গিদিয়োনে ঈশ্বৰক

ক’লে, “মোৰ ওপৰত আপুনি ক্ৰোধ নকৰিব। মোক আকৌ এবাৰ
কথা ক’বলৈ দিয়ক। মই বিনয় কৰোঁ, এই নোমৰ সৈতে পুনৰ এবাৰ
পৰীক্ষা কৰিবলৈ দিয়ক; এতিয়া অকল নোম শুকানে থাকক আৰু
সকলো মাটিৰ ওপৰত নিয়ৰ পৰক”। ৪০ পাছত ঈশ্বৰে সেই ৰাতিও
তেনেদৰেই কৰিলে; কেৱল নোম শুকানে থাকিল, আৰু বাকী সকলো
ঠাইতে নিয়ৰ পৰিল।

**৭** যিৰুব্বাল অৰ্থাৎ গিদিয়োন আৰু তেওঁৰ লগত থকা সকলোৱে
ৰাতিপুৱাতে উঠি হেৰোদ এলেকাৰ জুৰিৰ ওচৰত ছাউনি পাতিলে;
তেওঁলোকৰ উত্তৰফালে মোৰি পাহাৰৰ ওচৰৰ উপত্যকা অঞ্চল
মিদিয়নৰ আছিল। ২ যিহোৱাই গিদিয়োনক ক’লে, “তোমাৰ
লোকসকলৰ সংখ্যা ইমান অধিক যে মই মিদিয়নীয়াসকলক
তেওঁলোকৰ হাতত তুলি দিব নোৱাৰো; তেনে কৰিলে মোক বাদ দি
ইস্ৰায়েলে অহংকাৰ কৰি ক’ব, ‘আমাৰ নিজৰ শক্তিৰেই আমি উদ্ধাৰ
পালোঁ’। ৩ সেয়ে লোকসকলৰ আগত এই কথা ঘোষণা কৰা, যিসকলে
ভয় খাই কঁপি আছে, তেওঁলোকে গিলিয়দ পাহাৰ এৰি ঘৰলৈ উলটি
যাওক; তাতে লোকসকলৰ মাজৰ পৰা বাইশ হাজাৰ লোক উভটি গ’ল
কেৱল দহ হাজাৰ অৱশিষ্ট থাকিল।” ৪ যিহোৱাই গিদিয়োনক ক’লে,
“এতিয়াও লোকসকল অধিক আছে; তেওঁলোকক তুমি জুৰিৰ পানীলৈ
নামি যাবলৈ কোৱা আৰু সেই ঠাইতে মই তোমাৰ হৈ তেওঁলোকৰ
বাচনি কৰিম। যিজনৰ বিষয়ে মই তোমাক ক’ম এইজন লোক তোমাৰ
লগত যাব, তেওঁ যাব; কিন্তু যদি মই কওঁ, এওঁ তোমাৰ লগত যাব
নোৱাৰে, তেওঁ যাব নোৱাৰিব।” ৫ তেতিয়া গিদিয়োনে লোকসকলক
লৈ পানীৰ ওচৰলৈ নামি গ’ল। তাতে যিহোৱাই গিদিয়োনক ক’লে, “যি
সকলে কুকুৰৰ নিচিনাকৈ জিভাৰে পানী চেলেকি খাব তেওঁলোকৰ
পৰা যি সকলে পানী পিবৰ কাৰণে আঠু কাঢ়িব তেওঁলোকক পৃথক
কৰা।” ৬ তিনি শ মানুহে হাতেৰে মুখলৈ পানী তুলি চেলেকি খালে
আৰু বাকী সকলোৱে পানী পিবলৈ আঁঠু কাঢ়ি ল’লে। ৭ তেতিয়া
যিহোৱাই গিদিয়োনক ক’লে, “চেলেকি পানী খোৱা এই তিনি শ
লোকক লৈয়ে মই তোমালোকক উদ্ধাৰ কৰিম আৰু মিদিয়নীয়াসকলক

তোমালোকৰ হাতত দিম; আন সকলো লোকক তেওঁলোকৰ নিজৰ
ঠাইলৈ ঘূৰি যাবলৈ দিয়া।" ৮ সেইদৰে গিদিয়োনে তিনি শ লোকক
ৰাখি বাকী সকলো ইস্ৰায়েলীয়া লোকক নিজৰ তম্বুলৈ পঠাই দিলে।
গিদিয়োনে তেওঁলোকৰ হাতত থকা খোৱা বস্তু আৰু শিঙাবোৰ ৰাখি
থলে। সেই সময়ত মিদিয়নীয়াৰ ছাউনি গিদিয়োনৰ ছাউনিৰ তলৰ
উপত্যকাত আছিল। ৯ সেইদিনা ৰাতি যিহোৱাই তেওঁক ক'লে, "উঠা!
ছাউনি আক্ৰমণ কৰা। কিয়নো মই সেই ছাউনি তোমাৰ হাতত দিলোঁ।
১০ যদি তোমাৰ তললৈ নামি যাবলৈ ভয় লাগিছে, তেন্তে তোমাৰ
দাস পুৰাক লগত লৈ ছাউনিলৈ নামি যোৱা। ১১ সিহঁতে কি কয়,
তুমি তাক শুনিবা; তাৰ পাছত ছাউনি আক্ৰমণ কৰিবলৈ তোমাৰ
সাহস সবল কৰা হ'ব।" তেতিয়া গিদিয়োনে নিজৰ দাস পুৰাক লগত
লৈ ছাউনিৰ সুৰক্ষা প্ৰহৰীৰ আস্থানৰ ওচৰলৈকে নামি গ'ল। ১২
সেই উপত্যকাৰ মাজত মিদিয়নীয়া, অমালেকীয়া, আৰু পুব দেশীয়
লোকসকলৰ ঘনবসতি ফৰিঙৰ জাকৰ দৰে আছিল। তেওঁলোকৰ
উটবোৰৰ সংখ্যা গণিব নোৱাৰা সমুদ্ৰৰ তীৰৰ বালিৰ দৰে অগণন
আছিল। ১৩ গিদিয়োন যেতিয়া সেই ঠাইত উপস্থিত হ'ল, তেতিয়া
এজন মানুহে নিজৰ লগৰীয়াক এটা সপোনৰ কথা কৈ আছিল। তেওঁ
ক'লে, "মই এটা সপোন দেখিলোঁ; মই দেখিলোঁ যে এটা যৱৰ পিঠা
যেন বাগৰি বাগৰি মিদিয়নীয়াসকলৰ ছাউনিৰ ভিতৰত সোমাল।
সেইটোৱে মিদিয়নীয়াসকলৰ তম্বুত আহি ইমান জোৰেৰে খুন্দা
মাৰিলে যে তম্বুটো উলোটা হৈ চেপেটা খাই পৰিল।" ১৪ লগৰীয়াজনে
ক'লে, "এইটো ইস্ৰায়েলীয়া যোৱাচৰ পুত্ৰ গিদিয়োনৰ তৰোৱালৰ
বাহিৰে আন একো নহয়; ঈশ্বৰে মিদিয়নীয়া আৰু তেওঁলোকৰ গোটেই
সৈন্যক গিদিয়োনৰ হাতত তুলি দিছে।" ১৫ গিদিয়োনে যেতিয়া সেই
সপোন আৰু তাৰ অৰ্থৰ কথা শুনিলে, প্ৰাৰ্থনাত তেওঁৰ মূৰ দোঁ খালে।
তাৰ পাছত তেওঁ ইস্ৰায়েলৰ ছাউনিলৈ উলটি আহি ক'লে, "উঠা!
যিহোৱাই আপোনালোকৰ হাতত মিদিয়নীয়া সৈন্যক শোধাই দিছে।"
১৬ সেই তিনি শ লোকক তেওঁ তিনি দল কৰি ভাগ কৰিলে আৰু
তেওঁলোক প্ৰতিজনৰ হাতত এটাকৈ শিঙা, এটা খালী কলহ, আৰু

কলহৰ ভিতৰত এটাকৈ জ্বলন্ত জোঁৰ দিলে। ১৭ তাৰ পাছত গিদিয়োনে তেওঁলোকক ক'লে, আপোনালোকে মোক লক্ষ্য কৰি থাকিব আৰু মই যিহকে কৰোঁ, আপোনালোকেও তাক কৰিব। চাই থাকিব! মই যেতিয়া ছাউনিৰ কাষ পাম, মই কৰাৰ দৰেই আপোনালোকে কৰিব। ১৮ মই আৰু মোৰ সঙ্গীবোৰে শিঙা বজালে আপোনালোকেও গোটেই ছাউনিৰ চাৰিওকাষে থাকি শিঙা বজাব আৰু চিঞঁৰি চিঞঁৰি ক'ব, "যিহোৱা আৰু গিদিয়োনৰ কাৰণে!" ১৯ মধ্যপ্ৰহৰৰ আৰম্ভণীতে মিদিয়নীয়াসকলে যেতিয়া সুৰক্ষাপ্ৰহৰীসকলৰ পাল সলনি কৰিছিল, ঠিক সেই সময়তে গিদিয়োন আৰু তেওঁৰ লগৰ এশ লোকে ছাউনিৰ কাষলৈ গ'ল। তেওঁলোকে শিঙাবোৰ বজাই নিজৰ নিজৰ হাতত থকা কলহবোৰ ভাঙি পেলালে। ২০ এইদৰে তিনিওটা দলে একেলগে শিঙাবোৰ বজাই হাতৰ কলহ ভাঙিলে। বাওঁ হাতত জোঁৰ আৰু সোঁ হাতেৰে বজাবৰ কাৰণে শিঙা লৈ তেওঁলোকে চিঞঁৰি ক'বলৈ ধৰিলে, "যিহোৱা আৰু গিদিয়োনৰ তৰোৱাল"। ২১ গিদিয়োনৰ লোকসকল ছাউনিৰ চাৰিওফালে যেতিয়া নিজ নিজ ঠাইত থিয় হৈ থাকিল। তেতিয়া সকলো মিদিয়নীয়া সৈন্যই লৰা-ঢাপৰা কৰি চিঞঁৰি পলাবলৈ ধৰিলে। ২২ তিনিশ শিঙা বজাই দিওঁতে, যিহোৱাই এনে কৰিলে যাৰ ফলত প্ৰতিজন মিদিয়নীয়াৰ তৰোৱাল তেওঁলোকৰ নিজৰ লগৰীয়া আৰু সৈন্যসকলৰে বিৰুদ্ধে চলিল; তাতে মিদিয়নীয়া সৈন্যসকলে টব্বতৰ ওচৰত থকা আবেল-মহোলাৰ সীমা পৰ্যন্ত আৰু চৰেৰাৰ ফালে বৈৎচিত্তালৈকে পলাই গ'ল। ২৩ তেতিয়া নপ্তালী, আচেৰ, আৰু মনচি ফৈদৰ পৰা ইস্ৰায়েলৰ লোকসকল একগোট হৈ মিদিয়নীয়াসকলৰ পাছে পাছে খেদি গ'ল। ২৪ পাছত গিদিয়োনে ইফ্ৰয়িমৰ পাহাৰীয়া এলেকাৰ সকলো ফালে বাৰ্তাবাহক পঠাই ক'লে, "আপোনালোক নামি আহঁক আৰু মিদিয়নৰ বিৰুদ্ধে আক্ৰমণ কৰক। মিদিয়নীয়াসকল গৈ পোৱাৰ আগেয়ে সিহঁতক ভেটিবলৈ বৈৎ-বাৰা পৰ্যন্ত আৰু যৰ্দ্দন নদী দখল কৰি লওঁক।" তেতিয়া ইফ্ৰয়িমৰ সকলো লোকে গোট খাই বৈৎ-বাৰালৈকে সকলো সৰু সৰু নদী আৰু যৰ্দ্দনৰ পাৰ-ঘাট দখল কৰি ল'লে। ২৫ তেওঁলোকে ওৰেব আৰু জেব নামৰ দুজন

মিদিয়নীয়া নেতাক ধৰিলে; ওৰেবক ‘ওৰেবৰ শিলত’ বধ কৰিলে আৰু জেবক ‘জেবৰ দ্ৰাক্ষাগুটি মৰা ক্ষেত্ৰ’ত বধ কৰিলে। তেওঁলোকে মিদিয়নীয়াসকলক খেদি পঠালে আৰু যৰ্দ্দনৰ সিপাৰে থকা গিদিয়োনৰ ওচৰলৈ ওৰেব আৰু জেবৰৰ মূৰ লৈ আহিল।

৮ ইফ্ৰয়িম ফৈদৰ লোকসকলে গিদিয়োনক সুধিলে, “আপুনি আমাৰ লগত কিয় এনে ব্যৱহাৰ কৰিলে? মিদিয়নীয়াৰ সৈতে যুদ্ধ কৰিবলৈ যোৱাৰ সময়ত আপুনি আমাক নামাতিলে।” এইদৰে তেওঁলোকে গিদিয়োনৰ সৈতে বিবাদ কৰিবলৈ ধৰিলে। ২ তেওঁ তেওঁলোকক ক’লে, “এতিয়া আপোনালোকৰ তুলনাত মইনো এনে কি কাম কৰিলোঁ? অবীয়াচৰ বংশধৰৰ মাজত তোলা সমস্ত আঙুৰৰ খেতিৰ শস্যতকৈ জানো ইফ্ৰয়িমৰ ভূমিত তোলা আঙুৰবোৰ উত্তম নহয়? ৩ ঈশ্বৰে আপোনালোকৰ হাতত মিদিয়নীয়াসকলৰ নেতা ওৰেব আৰু জেবক সমৰ্পণ কৰিলে। আপোনালোকৰ তুলনাত মইনো বিশেষ কি কৰিব পাতিলোঁ?” গিদিয়োনৰ এনে কথা শুনাৰ পাছত তেওঁৰ প্ৰতি থকা তেওঁলোকৰ খং নাইকিয়া হ’ল। ৪ গিদিয়োন আৰু তেওঁৰ লগত থকা তিনি শ লোকে মিদিয়নীয়া শত্ৰুবোৰক খেদি খেদি গৈ যৰ্দ্দন নদীৰ ওচৰলৈকে আহি নদীখন পাৰ হ’ল। তেতিয়া তেওঁলোক অতি ক্লান্ত হৈ পৰিছিল। ৫ সেয়ে গিদিয়োনে চুক্কোতৰ অধিবাসীসকলক ক’লে, “দয়া কৰি মোৰ পাছে পাছে অহা সৈন্যবোৰক কিছু পিঠা খাবলৈ দিয়ক; কিয়নো তেওঁলোক অতিশয় পৰিশ্ৰান্ত হৈ পৰিছে। মই মিদিয়নীয়াসকলৰ ৰজা জেবহ আৰু চলমুন্নাৰ পাছে পাছে খেদি আহিছোঁ।” ৬ তেতিয়া চুক্কোতৰ নেতাসকলে ক’লে, “আমি বুজা নাই কিয় আমি আপোনাৰ সৈন্যবোৰক পিঠা খাবলৈ দিব লাগে? জেবহ আৰু চলমুন্না জানো এতিয়া তোমাৰ হাতত আহিল?” ৭ তেতিয়া গিদিয়োনে ক’লে, “যেতিয়া যিহোৱাই জেবহ আৰু চলমুন্নাক মোৰ হাতত তুলি দিব, তেতিয়া মই মৰুভূমিৰ কাঁইট আৰু কাঁইটীয়া গছৰ আঘাতেৰে আপোনালোকৰ গাৰ মঙহ ছিৰি পেলাম।” ৮ তাৰ পাছত গিদিয়োন তাৰ পৰা পনুৱেললৈ উঠি গ’ল আৰু সেই ঠাইৰ লোকসকলৰ ওচৰতো একেদৰে ক’লে। তাতে চুক্কোতৰ লোকসকলে

যেনেকৈ কৈছিল, তেওঁলোকেও একে উত্তৰ দিলে। ৯ তেতিয়া তেওঁ
পনূৱেলৰ লোকসকলক ক'লে, "কুশলে যেতিয়া পুনৰ উলটি আহিম,
মই এই কোঁঠ ভাঙি পেলাম।" ১০ সেই সময়ত জেবহ আৰু চলমুন্না
প্ৰায় পোন্ধৰ হাজাৰ সৈন্যৰ দল লৈ কৰ্কোৰত আছিল; পূৰ্বদেশৰ
সৈন্যসকলৰ মাজত কেৱল এওঁলোকেই তেতিয়া অৱশিষ্ট আছিল;
কিয়নো তেওঁলোকৰ তৰোৱাল ধৰা এক লাখ বিশ হাজাৰ সৈন্য হত
হ'ল। ১১ পাছত গিদিয়োনে নোবহ আৰু যগ্বেহাৰ চহৰৰ পুবফালে
তম্বুবাসী লোকসকলৰ নমাদ বাটেদি উঠি গৈ শত্ৰুপক্ষৰ ছাউনি পালে।
সেই সময়ত শত্ৰুসকল আক্ৰমণৰ বাবে প্ৰস্তুত নাছিল আৰু গিদিয়োনে
গৈ তেওঁলোকক পৰাস্ত কৰিলে। ১২ জেবহ আৰু চলমুন্না পলাই
গ'ল; কিন্তু গিদিয়োনে মিদিয়নীয়াসকলৰ সেই দুজন ৰজা জেবহ
আৰু চলমুন্নাক খেদি খেদি ধৰিলে। তেতিয়া তেওঁলোকৰ সৈন্যদলৰ
সকলোৱে গিদিয়োনৰ ভয়ত আতঙ্কিত হ'ল। ১৩ তাৰ পাছত যোৱাচৰ
পুত্ৰ গিদিয়োনে হেৰচৰ গিৰিপথেদি যুদ্ধৰ পৰা উলটি আহিছিল। ১৪
গিদিয়োনে চুক্কোত নিবাসীসকলৰ এজন যুৱকক ধৰি আনিলে আৰু
তেওঁৰ পৰা পৰামৰ্শ বিচাৰিলে; যুৱকজনে চুক্কোতৰ সাতসত্তৰজন নেতা
আৰু জ্যেষ্ঠলোকৰ নাম ক'লে। ১৫ গিদিয়োনে চুক্কোতবাসীসকলৰ
ওচৰলৈ আহি ক'লে, "এইয়া চোৱা, জেবহ আৰু চলমুন্না! এওঁলোকৰ
বাবেই আপোনালোকে মোক ঠাট্টা কৰি কৈছিলে, 'আমি বুজা নাই,
কিয় আমি আপোনাৰ সৈন্যবোৰক পিঠা খাবলৈ দিব লাগে। আপুনি
জানো জেবহ আৰু চলমুন্নাক জয় কৰিলে'?" ১৬ এইবুলি কৈ তেওঁ
চুক্কোতৰ জ্যেষ্ঠসকলক ধৰি আনি মৰুভূমিৰ কাঁইট আৰু কাঁইটীয়া
গছেৰে আঘাত কৰি শাস্তি দিলে। ১৭ তেওঁ পনূৱেলৰ কোঁঠটোও
ভাঙি পেলালে আৰু সেই নগৰৰ লোকসকলক বধ কৰিলে। ১৮ তাৰ
পাছত তেওঁ জেবহ আৰু চলমুন্নাক সুধিলে, "তাবোৰত আপোনালোকে
কেনে লোকসকলক বধ কৰিছিলে?" তেওঁলোকে উত্তৰ দিলে, "আপুনি
যেনেকুৱা, তেওঁলোকো তেনেকুৱা আছিল; তেওঁলোক প্ৰতিজন দেখাত
ৰাজপুত্ৰ সদৃশ আছিল।" ১৯ গিদিয়োনে ক'লে, "সেইসকল মোৰ ভাই
আছিল; মোৰ আইৰ সন্তান; জীৱন্ত ঈশ্বৰৰ শপত, আপোনালোকে যদি

তেওঁলোকক জীয়াই ৰাখিলোঁহেঁতেন, তেন্তে মই আপোনালোকক
বধ নকৰিলোঁহেঁতেন।” ২০ তাৰ পাছত তেওঁ নিজৰ বৰ পুতেক
যেথৰক ক’লে, “উঠি, ইহঁতক বধ কৰ!” কিন্তু সেই কুমলীয়া ল’ৰাজনে
নিজৰ তৰোৱাল নুলিয়ালে; সি তেতিয়া অল্পবয়সীয়া ল’ৰা আছিল
বাবে ভয় কৰিলে। ২১ তেতিয়া জেবহ আৰু চলমুন্নাই গিদিয়োনক
ক’লে, “আপুনিয়েই উঠি আমাক বধ কৰক! কিয়নো যি যেনে মানুহ,
তাৰ শক্তিও তেনে।” তেতিয়া গিদিয়োনে উঠি জেবহ আৰু চলমুন্নাক
বধ কৰিলে, আৰু তেওঁলোকৰ উটৰ ডিঙিৰ পৰা চন্দ্ৰহাৰবোৰ খুলি
ল’লে। ২২ পাছত ইস্ৰায়েলৰ লোকসকলে গিদিয়োনক ক’লে, “আপুনি
মিদিয়নীয়াসকলৰ হাতৰ পৰা আমাক উদ্ধাৰ কৰিলে; এতিয়া আপুনি,
আপোনাৰ পুত্ৰ, নাতি সকলোৱে আমাৰ ওপৰত শাসন কৰক।”
২৩ তেতিয়া গিদিয়োনে তেওঁলোকক ক’লে, “মই বা মোৰ পুত্ৰই
আপোনালোকৰ ওপৰত শাসন নকৰিব; যিহোৱাইহে আপোনালোকৰ
ওপৰত শাসন কৰিব।” ২৪ গিদিয়োনে তেওঁলোকক পুনৰ ক’লে, “কিন্তু
আপোনালোকৰ ওচৰত মোৰ এটি অনুৰোধ আছে, আপোনালোকৰ
লুটৰ ভাগৰ পৰা প্ৰতিজনে মোক এটাকৈ কাণৰ গহনা দিয়ক।” কিয়নো
মিদিয়নীয়াসকল আছিল ইস্মায়েলৰ বংশৰ লোক আৰু তেওঁলোকে
কাণত সোনৰ গহনা পিন্ধা প্ৰচলিত আছিল। ২৫ তেওঁলোকে উত্তৰ
দিলে, “আমি আনন্দ মনেৰে আপোনাক সেয়া দিম।” তাৰ পাছত
তেওঁলোকে এখন কাপোৰ পাৰি তাৰ মাজত প্ৰতিজনে লুটি অনা নিজ
নিজ কাণৰ গহনা পেলালে। ২৬ তাতে তেওঁ অনুৰোধ কৰি পোৱা সেই
সোনৰ কাণফুলিবোৰৰ ওজন এক হাজাৰ সাত শ চেকল হ’ল; তাৰ
বাহিৰেও চন্দ্ৰহাৰ, ‘লকেট’, মিদিয়নীয়া ৰজাসকলে পিন্ধা বেঙেনা
বৰণীয়া বস্ত্ৰ আৰু তেওঁলোকৰ উটবোৰে পিন্ধা ডিঙিৰ হাৰ আছিল। ২৭
তাৰ পাছত গিদিয়োনে সেই সোণবোৰ লৈ এখন এফোদ তৈয়াৰ কৰি
তেওঁ নিজৰ নগৰ অফ্ৰাত ৰাখিলে; ইস্ৰায়েলীয়াসকলে সেই ঠাইত
একমাত্ৰ ঈশ্বৰৰ পৰিবৰ্তে এফোদৰ পূজা কৰি নিজকে ব্যভিচাৰী
কৰিলে; এয়ে গিদিয়োন আৰু তেওঁৰ পৰিয়াললৈ এক ফান্দস্বৰূপ হ’ল।
২৮ এইদৰেই মিদিয়নীয়াসকল ইস্ৰায়েলৰ লোকসকলৰ তলতীয়া হৈ

থাকিল; তেওঁলোকে পুনৰ মূৰ দাঙিব নোৱাৰিলে। গিদিয়োনৰ কালত দেশ চল্লিশ বছৰলৈকে সুস্থিৰে থাকিল। ২৯ তাৰ পাছত যোৱাচৰ পুত্ৰ যিৰুব্বালে নিজৰ ঘৰলৈ গৈ তাতে বাস কৰিলে। ৩০ গিদিয়োনৰ বহুতো ভাৰ্য্যা আছিল আৰু সেয়ে তেওঁ সত্তৰজন পুত্ৰৰ পিতৃ আছিল। ৩১ চিখিমত তেওঁৰ এগৰাকী উপপত্নী আছিল। তেওঁৰ ঔৰসতো গিদিয়োনৰ এটি পুত্ৰ আছিল। গিদিয়োনে তেওঁৰ নাম অবীমেলক দিছিল। ৩২ যোৱাচৰ পুত্ৰ গিদিয়োনৰ অতি বৃদ্ধ বয়সত মৃত্যু হ'ল। অবীয়েজ্ৰীয়াসকলৰ অফ্ৰাত তেওঁৰ পিতৃ যোৱাচৰ সমাধিস্থলত তেওঁক মৈদাম দিয়া হ'ল। ৩৩ গিদিয়োনৰ মৃত্যুৰ পাছতেই ইস্ৰায়েলৰ সন্তান সকল পুনৰায় ঈশ্বৰৰ অবিশ্বাসী হ'ল আৰু তেওঁলোকে বাল-দেৱতাবোৰক পূজা-অৰ্চনা কৰি নিজক ব্যভিচাৰী কৰিলে। তেওঁলোকে বাল-বৰীৎক নিজৰ দেৱতা বুলি মানিলে। ৩৪ তেওঁলোকৰ চাৰিওফালে থকা সকলো শত্ৰুবোৰৰ হাতৰ পৰা যি জনা ঈশ্বৰে তেওঁলোকক উদ্ধাৰ কৰিছিল, ইস্ৰায়েলে তেওঁলোকৰ সেই ঈশ্বৰ যিহোৱাক সন্মান দিবলৈ পাহৰি গ'ল। ৩৫ যিৰুব্বালে ইস্ৰায়েলত যি সকলো উপকাৰ সাধি গ'ল, তাৰ বিপৰীতে লোক সকলে তেওঁৰ বংশৰ প্ৰতি কৰা প্ৰতিজ্ঞাত বিশ্বস্ত হৈ নাথাকিল।

**৯** যিৰুব্বালৰ পুত্ৰ অবীমেলকে চিখিমলৈ নিজৰ মোমায়েকহঁতৰ ওচৰলৈ গ'ল আৰু তেওঁলোকৰ সৈতে মাকৰ পৰিয়ালৰ আনবোৰ ফৈদকে ক'লে, ২ "দয়া কৰি চিখিমৰ সকলো নেতাকে আপোনালোকে এই কথা সোধক: 'আপোনালোকৰ কাৰণে কোনটো ভাল? যিৰুব্বালৰ সত্তৰজন পুত্ৰ আপোনালোকৰ শাসনকৰ্তা হ'ব নে এজনে শাসন কৰা ভাল?' পাহৰি নাযাব, মই আপোনালোকৰে হাড় আৰু মঙহ।" ৩ তেতিয়া অবীমেলকৰ মাকৰ পৰিয়ালবোৰে তেওঁৰ হৈ চিখিমৰ নেতাসকলৰ আগত কথা কোৱাত তেওঁলোকে অবীমেলকৰ পক্ষত থাকিবলৈ একমত হ'ল। তেওঁলোকে ক'লে "অবীমেলক আমাৰে ভাই।" ৪ তেওঁলোকে বাল-বৰীৎৰ মন্দিৰৰ পৰা তেওঁক সত্তৰ চেকল ৰূপৰ মুদ্ৰা দিলে; অবীমেলকে তাৰে কেইজনমান বেপেৰুৱা দু: সাহসী লোকক ভাড়া কৰিলে অাৰু এওঁলোক তেওঁৰ সঙ্গী হ'ল।

৫ অবীমেলকে অফ্ৰাত নিজৰ বাপেকৰ ঘৰলৈ গৈ তেওঁৰ সত্তৰজন
ভাইক অৰ্থাৎ যিৰুব্বালৰ পুতেকসকলক একেটা শিলৰ ওপৰত হত্যা
কৰিলে। কেৱল, যিৰুব্বালৰ সৰু পুতেক যোথম লুকাই থকা বাবে সি
বাচি গ'ল। ৬ তাৰ পাছত চিখিমৰ আৰু বৈৎ-মিল্লোৰ নেতাসকলে
একেলগে আহি চিখিমৰ স্তম্ভৰ ওচৰত থকা ওক গছজোপাৰ কাষলৈ
গৈ অবীমেলকক ৰজা পাতিলে। ৭ যোথমক এই কথা জনোৱাত
তেওঁ গৰিজ্জীম পৰ্ব্বতৰ টিঙলৈ উঠি গৈ চিঞৰি চিঞৰি ক'বলৈ
ধৰিলে, “হে চিখিমৰ নেতাসকল, মোৰ কথা শুনা, তাতে ঈশ্বৰেও
আপোনালোকৰ কথা শুনিব। ৮ এবাৰ গছবোৰে নিজৰ কাৰণে এজন
ৰজাক অভিষেক কৰিবৰ অৰ্থে বাহিৰ ওলাই গ'ল। সিহঁতে জিত
গছক ক'লে, ‘তুমি আমাৰ ৰজা হোৱা।’ ৯ কিন্তু জিত গছে সিহঁতক
ক'লে, ‘মোৰ যি তেল ঈশ্বৰ আৰু মানুহক সন্মান কৰিবলৈ ব্যৱহাৰ হয়,
তাক এৰি মই কি আন গছবোৰৰ ওপৰত কেৱল দুলি থাকিবলৈকে
যামনে?’ ১০ গছবোৰে ডিমৰু গছক ক'লে, ‘আহাঁ তুমিয়েই আমাৰ
ৰজা হোৱা।’ ১১ কিন্তু ডিমৰু গছে সিহঁতক ক'লে, ‘মই জানো মোৰ
মিঠা সোৱাদ আৰু উত্তম ফল ত্যাগ কৰি আন গছবোৰৰ ওপৰত দুলি
থাকিবলৈ যাম?’ ১২ পাছে গছবোৰে দ্ৰাক্ষালতাক ক'লে, ‘তুমিয়েই
আহি আমাৰ ৰজা হোৱা।’ ১৩ কিন্তু দ্ৰাক্ষালতাই সিহঁতক ক'লে,
‘মোৰ যি ন-ৰসে ঈশ্বৰ আৰু মানুহক সন্তোষ দিয়ে, তাক এৰি মই
আন গছবোৰৰ ওপৰত দুলি থাকিবলৈ যামনে? ১৪ তেতিয়া আটাই
গছবোৰে কাঁইট গছক ক'লে, ‘তুমিয়েই আহি আমাৰ ৰজা হোৱা।’
১৫ কাঁইট গছে গছবোৰক ক'লে, ‘তোমালোকে তোমালোকৰ ৰজা
হ'বলৈ মোক যদি সঁচাকৈ অভিষেক কৰিব বিচাৰা, তেন্তে আহাঁ আৰু
মোৰ ছাঁত আশ্ৰয় লোৱা। তাকে যদি নকৰা, তেন্তে কাঁইট গছৰ পৰা
জুই ওলাব আৰু লিবানোনৰ এৰচ গছবোৰকো পুৰি পেলাব।’ ১৬
এতিয়া সেয়ে শুনক, অবীমেলকক ৰজা পাতি আপোনালোকে জানো
সত্যতা আৰু বিশ্বস্ততাৰ কাৰ্য কৰিছে? আপোনালোকে জানো যিৰুব্বাল
আৰু তেওঁৰ পৰিয়ালৰ প্ৰতি সুবিচাৰ কৰিছে? ১৭ মোৰ পিতৃয়ে
আপোনালোকৰ কাৰণে যুদ্ধ কৰিলে, তেওঁ নিজৰ প্ৰাণকো তুচ্ছ জ্ঞান

কৰি মিদিয়নীয়াসকলৰ হাতৰ পৰা আপোনালোকক উদ্ধাৰ কৰিলে; ১৮
কিন্তু আজি আপোনালোকে মোৰ পিতৃ-বংশৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছে;
একেটা শিলৰ ওপৰতে তেওঁৰ সত্তৰজন পুত্ৰক বধ কৰিলে আৰু তেওঁৰ
দাসীৰ পুত্ৰ অবীমেলকক চিখিমৰ লোক সকলৰ ওপৰত ৰজা পাতিলে,
কাৰণ তেওঁ আপোনালোকৰ আত্মীয়। ১৯ আজি যদি আপোনালোকে
যিৰুব্বাল আৰু তেওঁৰ বংশলৈ ন্যায়পৰায়ণতা আৰু সততাৰে কাৰ্য
কৰি থাকে, তেন্তে অবীমেলকত যেন আপোনালোকে আনন্দ কৰে
আৰু তেৰোঁ আপোনালোকত আনন্দ কৰক। ২০ কিন্তু আপোনালোকে
যদি ইয়াকে নকৰে, তেনেহ'লে অবীমেলকৰ পৰা যেন জুই ওলাই
আহি আপোনালোকৰ অৰ্থাৎ চিখিম আৰু বৈৎ-মিল্লোৰ লোকসকলক
পুৰি পেলাওক; আৰু আপোনালোকৰ অৰ্থাৎ চিখিম আৰু বৈৎ-মিল্লোৰ
লোকসকলৰ মাজৰ পৰাও যেন জুই বাহিৰ হৈ অবীমেলকক পুৰি
পেলাওক।" ২১ ইয়াকে কৈ যোথমে ল'ৰ মাৰি বেৰ নামৰ এখন ঠাইলৈ
পলাই গ'ল। তেওঁ নিজৰ ভায়েক অবীমেলকৰ ভয়ত সেই ঠাইতে
বাস কৰিলে। ২২ অবীমেলকে ইস্ৰায়েলৰ ওপৰত তিনিবছৰ শাসন
কৰিলে। ২৩ তাৰ পাছত ঈশ্বৰে অবিমেলক আৰু চিখিমৰ নেতাসকলৰ
মাজত এক দুষ্ট আত্মা পঠাই দিলে। তাতে চিখিমৰ নেতাসকলে
অবীমেলকলৈ থকা ভাৰসাক বিশ্বাসঘাটকতা কৰিলে। ২৪ ঈশ্বৰে
এই কাৰ্য কৰিলে যাতে যিৰুব্বালৰ সত্তৰজন পুত্ৰলৈ ৰক্তপাতৰ যি
অন্যায় কৰা হ'ল, তাৰ দ্বাৰা তেওঁলোকৰ ভায়েক অবীমেলকৰ ওপৰত
আৰু তেওঁলোকক বধ কৰা কাৰ্যত তেওঁৰ আৰু তেওঁৰ সহায়কাৰী
চিখিমৰ লোকসকলৰ ওপৰত প্ৰতিশোধ লোৱা হয়। ২৫ সেয়ে চিখিমৰ
লোকসকলে অবীমেলকৰ বিৰুদ্ধে পাহাৰৰ ওপৰত মানুহ ৰাখিলে আৰু
তেওঁলোকে লুকাই থাকি সেই পথেৰে যিসকল লোক যায় তেওঁলোকক
লুট-পাট কৰে। এই বিষয়ে অবীমেলকক জনোৱা হ'ল। ২৬ সেই
সময়ত এবদৰ পুত্ৰ গালে নিজৰ জ্ঞাতি-কুতুম্বসকলৰ সৈতে চিখিমলৈ
আহিল আৰু চিখিমৰ নেতাসকলে তেওঁৰ ওপৰত বিশ্বাস স্থাপন
কৰিলে। ২৭ তেওঁলোকে খেতিলৈ গৈ দ্ৰাক্ষাবাৰীৰ পৰা আঙুৰ চপাই
গছকিলে আৰু তাৰ ৰসেৰে উৎসৱ কৰিলে। তেওঁলোকে তেওঁলোকৰ

দেৱতাৰ মন্দিৰলৈ গৈ ভোজন-পান কৰি অবীমেলকক শাও দিলে।
২৮ এবদৰ পুতেক গালে ক'লে, "অবীমেলক কোন যে আমি চিখিমৰ
লোকসকল তেওঁৰ অধীনত থাকিম? তেওঁ জানো যিৰুব্বালৰ পুতেক
নহয়? জবুল জানো তেওঁৰ শাসনাধিপতি নহয়? আপোনালোকে
বৰং চিখিমৰ বাপেক হমোৰৰ বংশধৰসকলৰ অধীন হৈ থাকক; কিয়
আমি অবীমেলকৰ অধীনত থাকিম? ২৯ এই লোকসকল মোৰ বশত
থকাহেতেঁন কেনে ভাল হ'লহেতেন! তেতিয়াতো মই অবীমেলকক দুৰ
কৰি দিলোঁহেঁতেন। তেওঁ অবীমেলকক সকলো সৈন্য লৈ আহিবলৈ
ক'লে।" ৩০ এবদৰ পুতেক গালৰ সেই কথা নগৰৰ শাসনাধিপতি
জবুলৰ কাণত পৰিল আৰু তেওঁ ক্ৰোধত জ্বলি উঠিল। ৩১ তেতিয়া
তেওঁ অবীমেলকৰ গুৰিলৈ বাৰ্তাবাহকৰ দ্বাৰাই কৈ পঠালে, "এবদৰ
পুতেক গাল আৰু তেওঁৰ জ্ঞাতি-কুতুম্বসকলে চিখিমলৈ আহি আপোনাৰ
বিৰুদ্ধে নগৰৰ লোকসকলক উত্তেজিত কৰি তুলিছে। ৩২ সেয়ে,
আপুনি আৰু আপোনাৰ সৈন্যসকলে ৰাতিতে উঠি আহি খেতিৰ
মাজত লুকাই থাকিব। ৩৩ পাছদিনা ৰাতিপুৱা সুৰ্য্য উদয় হোৱা
মাত্ৰেই আপোনালোকে উঠি আহি নগৰ আক্ৰমণ কৰিব; যেতিয়া গাল
আৰু তেওঁৰ লোকসকল আপোনাৰ বিৰুদ্ধে ওলাই আহিব, তেতিয়া
আপোনালোকে যিহকে কৰিব পাৰে তাকে তেওঁলোকলৈ কৰিব।" ৩৪
যেতিয়া, অবীমেলক আৰু তেওঁৰ সকলো সৈন্যদলে ৰাতিতে উঠিল
আৰু চাৰিটা দলত ভাগ হৈ চিখিমৰ ওচৰত লুকাই থকিল। ৩৫ নগৰৰ
পৰা ওলাই আহি এবদৰ পুতেক গাল প্ৰৱেশদ্বাৰৰ ওচৰত থিয় হৈ
আছিল। তেনেতে অবীমেলক আৰু তেওঁৰ সৈন্যসকল লুকাই থকা
ঠাইৰ পৰা ওলাই আহিল। ৩৬ গালে তেওঁলোকক দেখি জবুলক ক'লে,
"চাওঁক, পাহাৰৰ ওপৰৰ পৰা লোক সমূহ নামি আহিছে!" জবুলে
উত্তৰত ক'লে, "আপুনি পাহাৰৰ ছাঁবোৰকে মানুহ যেন দেখিছে।" ৩৭
কিন্তু গালে পুনৰায় ক'লে, "চাওঁক, লোকসকল দেশৰ মধ্যস্থানলৈ
নামি আহিছে; আৰু এটা দল মোনইনীমৰ বাটেদি আহিছে।" ৩৮
তেতিয়া জবুলে তেওঁক ক'লে, "এতিয়া আপোনাৰ সেই ডাঙৰ ডাঙৰ
কথাবোৰ কলৈ গ'ল? আপুনিয়ে কৈছিলে, 'অবীমেলক কোন যে আমি

তেওঁৰ অধীনত থাকিম?’ এই লোকসকলকেই আপুনি তুচ্ছ জ্ঞান কৰা নাছিল নে? এতিয়া ওলাই গৈ তেওঁলোকৰে সৈতে যুদ্ধ কৰক।” ৩৯ তেতিয়া চিখিমৰ নেতা গালে লোকসকলক পৰিচালনা কৰি বাহিৰলৈ ওলাই গ’ল, আৰু অবীমেলকেৰে সৈতে যুদ্ধ কৰিলে। ৪০ অবীমেলকে গালৰ পাছে পাছে খেদি যোৱাত তেওঁ পলাই গ’ল; আৰু তেওঁৰ দলৰ অনেকেই নগৰৰ প্ৰৱেশ দুৱাৰত সোমোৱাৰ আগতেই আঘাত পাই ঢলি পৰিল। ৪১ অবীমেলক অৰূমাত থাকিল আৰু জবুলে চিখিমৰ পৰা গাল আৰু তেওঁৰ জ্ঞাতি-কুটুম্বসকলক খেদি বাহিৰ কৰি দিলে। ৪২ পাছদিনাখন চিখিমৰ লোকসকলে নগৰৰ বাহিৰ ওলাই খেতিলৈ গ’ল আৰু এই বাতৰি অবীমেলকক জনোৱা হ’ল। ৪৩ অবীমেলকে তেওঁৰ লোকসকলক লৈ তিনিটা দলত ভাগ কৰি খেতিৰ মাজত লুকাই থাকিল; যেতিয়া নগৰৰ পৰা লোক সমূহক বাহিৰ হৈ অহা দেখিলে, তেতিয়া তেওঁ তেওঁলোকক আক্ৰমণ কৰি বধ কৰিলে। ৪৪ অবীমেলকে তেওঁৰ দলটোৰে সৈতে গৈ নগৰৰ প্ৰৱেশ-দুৱাৰৰ ওচৰত থিয় হৈ থাকিল; আন দুটা দলে খেতিত থকা সকলো লোকক আক্ৰমণ কৰি বধ কৰিলে। ৪৫ সেইদিনা ওৰে দিনটো অবীমেলকে নগৰৰ বিৰুদ্ধে যুদ্ধ কৰিলে আৰু সেই ঠাইৰ লোক সমূহক বধ কৰি নগৰ অধিকাৰ কৰিলে। তাৰ পাছত নগৰৰ দেৱাল ধ্বংস কৰি তাৰ ওপৰত নিমখ চতিয়াই দিলে। ৪৬ এই খবৰ শুনি চিখিমৰ দুৰ্গৰ নেতাসকলে এল-বৰীৎ দেৱতাৰ মন্দিৰৰ ভিতৰত সোমালগৈ। ৪৭ অবীমেলকে যেতিয়া শুনিলে যে লোকসকলে চিখিমৰ দুৰ্গলৈ গৈ একেলগ হৈছে, ৪৮ তেতিয়া তেওঁ নিজৰ লোকসকলক লগত লৈ চলমোন পৰ্ব্বতলৈ উঠি গ’ল। তেওঁ কুঠাৰ ললে আৰু গছৰ পৰা এটা ডাল কাটি নিজৰ কান্ধত তুলি ল’লে। তাৰ পাছত তেওঁৰ লগত থকা লোকসকলক আদেশ দিলে, “তোমালোকে মোক যি যি কৰা দেখিলা, তোমালোকেও শীঘ্ৰে তেনেকুৱা কৰিবা।” ৪৯ সেয়ে সকলোৱে এটা এটা ডাল কাটি লৈ অবীমেলকৰ পাছে পাছে গ’ল। তাৰ পাছত তেওঁলোকে সেই ডালবোৰ আনি মন্দিৰৰ মাটিৰ তলত থকা সেই ঘৰটোৰ ওপৰত জাপি দি জুই লগাই দিলে; এইদৰে চিখিমৰ দুৰ্গত থকা সকলো

লোক মৰিল; তাত প্ৰায় এক হাজাৰ পুৰুষ আৰু মহিলা আছিল। ৫০
তাৰ পাছত অবীমেলক তেবেচলৈ গৈ তাৰ বিৰুদ্ধে ছাউনি পাতি
তাক অধিকাৰ কৰি ল'লে। ৫১ সেই নগৰৰ ভিতৰত এটা দৃঢ় দুৰ্গ
আছিল; সকলো পুৰুষ, মহিলা আৰু নগৰৰ নেতাসকল তালৈ পলাই
গৈ দুৱাৰ বন্ধ কৰি নিজকে ভিতৰত আবদ্ধ কৰিলে। তাৰ পাছত
তেওঁলোক দুৰ্গৰ চালৰ ওপৰত উঠিলগৈ। ৫২ অবীমেলকে সেই দুৰ্গৰ
ওচৰলৈ আহি তাৰ বিৰুদ্ধে যুদ্ধ কৰিলে; তেওঁ দুৰ্গত জুই লগাবৰ বাবে
দুৰ্গৰ দুৱাৰৰ ওচৰলৈকে আহিল। ৫৩ কিন্তু তাত এগৰাকী মহিলাই
জাঁতৰ ওপৰৰ শিলচটা লৈ অবীমেলকৰ মূৰৰ ওপৰত পেলাই দি
তেওঁৰ মূৰৰ খোলা ভাঙিলে। ৫৪ তেতিয়া অবীমেলকে ততাতৈয়াকৈ
নিজৰ অস্ত্ৰবহনকাৰী যুবকক মাতি ক'লে, "তোমাৰ তৰোৱাল উলিয়াই
মোক বধ কৰা যাতে কোনেও মোৰ বিষয়ে এইদৰে ক'ব নোৱাৰে
যে 'এগৰাকী মহিলাই মোক বধ কৰিলে'।" তেতিয়া সেই যুবকে
তেওঁক তৰোৱালেৰে খুচিলে আৰু তেওঁৰ মৃত্যু হ'ল। ৫৫ অবীমেলকৰ
মৃত্যু হোৱা দেখি ইস্ৰায়েলীয়াসকলে নিজৰ ঘৰলৈ উলটি গ'ল। ৫৬
এই দৰে সত্তৰজন ভায়েকক বধ কৰি অবীমেলকে নিজৰ বাপেকৰ
বিৰুদ্ধে যি কুকৰ্ম কৰিলে, ঈশ্বৰে তাৰ সমুচিত দণ্ড তেওঁক দিলে। ৫৭
চিখিমৰ লোকসকলে যি সকলো অন্যায় কৰিছিল, তেওঁলোকৰ নিজৰ
মূৰৰ ওপৰত ঈশ্বৰে দণ্ড আনিলে; যিৰুব্বালৰ পুতেক যোথমৰ শাও
তেওঁলোকৰ ওপৰত পৰিল।

**১০** অবীমেলকৰ পাছত তোলা নামৰ ইচাখৰ বংশৰ এজন লোকে
ইস্ৰায়েলী লোকসকলক উদ্ধাৰ কৰিবলৈ আহিল। পূৱাৰ পুত্ৰ তোলা
আৰু দোদোৰ নাতি তেওঁ ইফ্ৰয়িমৰ পাহাৰীয়া অঞ্চলৰ চামীৰত বাস
কৰিছিল। ২ তেওঁ তেইশ বছৰ ধৰি ইস্ৰায়েলৰ বিচাৰকৰ্তা আছিল।
তাৰ পাছত তেওঁৰ মৃত্যু হ'ল আৰু চামীৰত তেওঁক মৈদাম দিয়া
হ'ল। ৩ তোলাৰ পাছত গিলিয়দীয়া যায়ীৰ বাইশ বছৰ ইস্ৰায়েলী
লোকসকলৰ বিচাৰকৰ্তা আছিল। ৪ যায়ীৰৰ ত্ৰিশ জন পুতেক আছিল
আৰু তেওঁলোকে ত্ৰিশটা গাধত উঠি ফুৰিছিল: তেওঁলোকৰ ত্ৰিশখন
নগৰ আছিল; আজিও সেই নগৰবোৰক হব্বোৎ-যায়ীৰ বোলা হয়। ৫

যায়ীৰৰ মৃত্যুৰ পাছত কামোনত তেওঁক মৈদাম দিয়া হ'ল। ৬ ইস্ৰায়েলী
লোকসকলে যিহোৱাৰ দৃষ্টিত আকৌ কু-আচৰণ কৰিবলৈ ধৰিলে;
তেওঁলোকে বাল-দেৱতা, অষ্টাৰেৎ দেবী আৰু অৰাম, চীদোন, মোৱাব,
অম্মোন আৰু পলেষ্টীয়াসকলৰ দেৱ-দেৱীসকলৰ পূজা কৰিবলৈ
ধৰিলে। এইদৰে তেওঁলোকে যিহোৱাক ত্যাগ কৰিলে আৰু তেওঁৰ
উপাসনা নকৰিলে। ৭ সেয়ে তেওঁলোকৰ বিৰুদ্ধে তেওঁ খঙত জ্বলি
উঠিল আৰু পলেষ্টীয়া আৰু অম্মোনীয়াসকলৰ হাতত তেওঁলোকক
তুলি দিলে। ৮ তেওঁলোকে সেই বছৰত ইস্ৰায়েলীয়াসকলক উপদ্ৰৱ
কৰি জয় কৰিলে; ওঠৰ বছৰ ধৰি যৰ্দ্দনৰ সিপাৰে থকা গিলিয়দৰ
ইমোৰীয়া দেশত বাস কৰা সকলো ইস্ৰায়েলীয়া লোকক তেওঁলোকে
উপদ্ৰৱ কৰিছিল। ৯ অম্মোনীয়াসকলে যিহূদা, বিন্যামীন আৰু ইফ্ৰয়িম
ফৈদৰ বিপক্ষে যুদ্ধ কৰিবলৈ যৰ্দ্দন পাৰ হৈ গ'ল। তেতিয়া ইস্ৰায়েলী
লোকসকলে অতিশয় কষ্ট ভোগ কৰিলে। ১০ তেওঁলোকে যিহোৱাৰ
আগত কাতৰোক্তি কৰিলে, “আমি নিজ ঈশ্বৰক ত্যাগ কৰি বাল-
দেৱতাবোৰক পূজা কৰি আপোনাৰ বিৰুদ্ধে পাপ কৰিলোঁ।” ১১
যিহোৱাই তেওঁলোকক ক'লে, “মই জানো মিচৰীয়া, ইমোৰীয়া,
অম্মোনীয়া আৰু পলেষ্টীয়াসকলৰ পৰা তোমালোকক উদ্ধাৰ কৰা
নাছিলো? ১২ যেতিয়া চীদোনীয়া, অমালেকীয়া আৰু মায়োনীয়াসকলে
তোমালোকক উপদ্ৰৱ কৰিছিল, তেতিয়া তোমালোকে মোৰ আগত
কাতৰোক্তি কৰিছিলা আৰু মই তোমালোকক তেওঁলোকৰ অধীনৰ
পৰা উদ্ধাৰ কৰিছিলোঁ। ১৩ তথাপিও তোমালোকে মোক পুনৰ ত্যাগ
কৰিলা আৰু আন দেৱ-দেৱীসকলক পূজা কৰিবলৈ ধৰিলা; গতিকে মই
তোমালোকক বাৰে বাৰে ৰক্ষা কৰি নাথাকিম। ১৪ যি দেৱতাবোৰক
তোমালোকে পূজা কৰিছিলা তেওঁলোকৰ ওচৰলৈ গৈ কাতৰোক্তি কৰা;
সঙ্কটৰ সময়ত তেওঁলোকেই তোমালোকক ৰক্ষা কৰক।” ১৫ কিন্তু
ইস্ৰায়েলীয়াসকলে যিহোৱাক ক'লে, “আমি পাপ কৰিলোঁ; আপোনাৰ
দৃষ্টিত যি ভাল দেখে তাকেই আমালৈ কৰক; অনুগ্ৰহ কৰি কেৱল
এইবাৰ আপুনি আমাক উদ্ধাৰ কৰক।” ১৬ তাৰ পাছত তেওঁলোকৰ
মাজত ভিন্ন দেশীয় যি দেৱতাবোৰ আছিল, সেইসকলো দূৰ কৰি

তেওঁলোকে যিহোৱাৰ সেৱা কৰিলে; তাতে ইস্রায়েলৰ কষ্ট দেখি
যিহোৱাই দূখ কৰিলে। ১৭ তেতিয়া অম্মোনীয়াসকলে একগোট হৈ
গিলিয়দত ছাউনি পাতিলে আৰু ইস্রায়েলী লোকসকলেও লগ হৈ
মিস্পাত ছাউনি পাতিলে। ১৮ গিলিয়দৰ নেতাসকলে এজনে আন
জনক ক'লে, "অম্মোনীয়াসকলৰ লগত প্ৰথমে কোনে যুদ্ধ আৰম্ভ
কৰিব? যিজনে কৰিব, তেঁৱেই গিলিয়দ-নিবাসী সকলো লোকৰ
ওপৰত নেতা হ'ব।"

**১১** সেই কালত গিলিয়দীয়া যিপ্তহ এজন শক্তিশালী যোদ্ধা আছিল;
তেওঁৰ মাক এগৰাকী বেশ্যা আছিল আৰু তেওঁৰ পিতৃৰ নাম গিলিয়দ
আছিল। ২ গিলিয়দৰ ভাৰ্যাই তেওঁলৈ আন কেইবাজনো পুত্ৰৰ জন্ম
দিছিল। তেওঁৰ ভাৰ্যাৰ পুত্ৰসকল যেতিয়া ডাঙৰ হ'ল, তেওঁলোকে
যিপ্তহক ঘৰৰ পৰা খেদি দি ক'লে, "তুমি আমাৰ পৰিয়ালৰ সম্পত্তিৰ
কোনো অধিকাৰ নাপাবা; কিয়নো তুমি আন এগৰাকী মহিলাৰ
সন্তান।" ৩ সেয়ে যিপ্তহ নিজৰ ভাইসকলৰ কাষৰ পৰা পলাই গৈ
টোব দেশত বাস কৰিবলৈ ধৰিলে। তাত কেইজনমান উদণ্ড লোকে
আহি যিপ্তহেৰে সৈতে যোগ দিলে আৰু তেওঁৰ লগত চলা-ফুৰা
কৰিলে। ৪ কিছু কালৰ পাছত অম্মোনীয়াসকলে ইস্রায়েলৰ সৈতে
যুদ্ধ কৰিবলৈ ধৰিলে। ৫ যেতিয়া অম্মোনীয়াসকলে ইস্রায়েলীসকলৰ
সৈতে যুদ্ধ কৰিছিল, তেতিয়া গিলিয়দৰ বৃদ্ধ নেতাসকলে যিপ্তহক টোব
দেশৰ পৰা আনিবলৈ গ'ল। ৬ তেওঁলোকে যিপ্তহক ক'লে, "আমি
অম্মোনীয়াসকলৰ লগত যুদ্ধ কৰিম, সেয়ে তুমি আহি আমাৰ সেনাপতি
হোৱা।" ৭ যিপ্তহে গিলিয়দৰ নেতাসকলক ক'লে, "তোমালোকেই ঘিণ
কৰি পিতৃ-বংশৰ মাজৰ পৰা মোক খেদি দিছিলা। এতিয়া সঙ্কটত পৰি
কিয় মোৰ ওচৰলৈ আহিছা?" ৮ গিলিয়দৰ বৃদ্ধ নেতাসকলে যিপ্তহক
ক'লে, "সেই কাৰণেই আমি এতিয়া তোমাৰ ওচৰলৈ আহিছোঁ; তুমি
আমাৰ লগত গৈ অম্মোনীয়াসকলৰ সৈতে যুদ্ধ কৰা আৰু তুমিয়েই
গিলিয়দনিবাসী সকলো লোকৰ ওপৰত নেতা হবা।" ৯ তেতিয়া
যিপ্তহে গিলিয়দৰ বৃদ্ধসকলক ক'লে, "আপোনালোকে যদি অম্মোনৰ
সৈন্যবোৰৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ মোক ঘৰলৈ পুনৰ ওলোটাই নিয়ে

আৰু যিহোৱায়ো যদি তেওঁলোকৰ ওপৰত আমাক বিজয়ী কৰে,
তেন্তে মইয়ে আপোনালোকৰ নেতা হ'ম।" ১০ গিলিয়দৰ বৃদ্ধসকলে
ক'লে, "আমি যদি আমাৰ কথামতে কাম নকৰোঁ, তেন্তে যিহোৱা
আমাৰ মাজত সাক্ষী হৈ থাকক!" ১১ তেতিয়া যিপ্তহ গিলিয়দৰ বৃদ্ধ
নেতাসকলৰ সৈতে গ'ল আৰু লোক সকলে তেওঁকে তেওঁলোকৰ নেতা
আৰু সেনাপতি পাতিলে; তাৰ পাছত যিপ্তহে মিস্পাত গৈ যিহোৱাৰ
সন্মুখত তেওঁৰ প্ৰতিজ্ঞাবোৰৰ কথা জনালে। ১২ তাৰ পাছত যিপ্তহে
মানুহ পঠাই অম্মোনীয়াসকলৰ ৰজালৈ এই কথা সুধিলে, "আপোনাৰ
আৰু আমাৰ মাজত কি সমস্যা হৈছে? কিয় আমাৰ দেশৰ বিৰুদ্ধে
যুদ্ধ কৰিবলৈ আহিছে?" ১৩ অম্মোনীয়াসকলৰ ৰজাই যিপ্তহে পঠোৱা
লোকসকলক কৈ পঠালে, "ইস্ৰায়েলীয়াসকলে মিচৰ দেশৰ পৰা বাহিৰ
হৈ আহি অৰ্ণোন নদীৰ পৰা যব্বোকলৈ আৰু যৰ্দ্দনলৈকে মোৰ মাটি
কাঢ়ি ল'লে; গতিকে এতিয়া অশান্তি নকৰাকৈ তাক ওলোটাই দিয়ক।"
১৪ পুনৰ যিপ্তহে অম্মোনীয়াসকলৰ ৰজাৰ ওচৰলৈ লোক পঠালে। ১৫
তেওঁ এই বাৰ্তা দিলে, যিপ্তহে কৈছে: ইস্ৰায়েলে মোৱাব আৰু অম্মোনৰ
লোকসকলৰ মাটি কাঢ়ি লোৱা নাছিল। ১৬ কিন্তু মিচৰ দেশৰ পৰা
ওলাই অহাৰ পাছত ইস্ৰায়েলী লোকসকলে মৰুপ্ৰান্তৰৰ মাজেদি ভ্ৰমণ
কৰি চূফ সাগৰলৈকে গৈছিল আৰু তাৰ পাছতে কাদেচলৈ গৈছিল। ১৭
তাৰ পাছত ইস্ৰায়েলী লোকসকলে ইদোমৰ ৰজাৰ ওচৰলৈ লোক
পঠিয়াই বিনয় কৰি কৈছিল, 'আপোনালোকৰ ভূমিৰ মাজেদি আমাক
যাবলৈ অনুমতি দিয়ক।' কিন্তু ইদোমৰ ৰজাই সেই কথা নুশুনিলে।
পাছত তেওঁলোকে মোৱাবৰ ৰজাৰ ওচৰলৈকো লোক পঠিয়াইছিল,
কিন্তু তেৰোঁ সন্মত নহ'ল। সেয়ে ইস্ৰায়েলী লোকসকল কাদেচতে
থাকিল। ১৮ তাৰ পাছত তেওঁলোকে মৰুপ্ৰান্তৰৰ মাজেদি গৈ ইদোম
আৰু মোৱাব দেশৰ পৰা ঘূৰি মোৱাব দেশৰ পূব ফালেদি আহি অৰ্ণোন
নদীৰ সিপাৰে ছাউনি পাতিলে; তেওঁলোকে মোৱাবৰ সীমাৰ ভিতৰত
নোসোমাল, কিয়নো অৰ্ণোন নদী মোৱাবৰ সীমা আছিল। ১৯ তাৰ
পাছত ইস্ৰায়েলী লোকসকলে ইমোৰীয়াসকলৰ ৰজা চীহোন, যিজনে
হিচবোনত ৰাজত্ব কৰিছিল, তেওঁৰ ওচৰলৈ মানুহ পঠিয়াই ক'লে

“অনুগ্ৰহ কৰি আপোনালোকৰ দেশৰ মাজেদি আমাক আমি যাব লগা ঠাইলৈ যাব দিয়ক।” ২০ কিন্তু চীহোনেও তেওঁলোকক বিশ্বাস নকৰিলে আৰু নিজৰ অঞ্চলৰ মাজেদি যোৱাৰ অনুমতি নিদিলে। তেওঁ নিজৰ সৈন্যসকলক গোট খুৱাই যহচত ছাউনি পাতিলে আৰু তাত ইস্ৰায়েলী লোকসকলৰ সৈতে যুদ্ধ কৰিলে। ২১ তেতিয়া ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাই চীহোন আৰু তেওঁৰ সকলো লোকক ইস্ৰায়েলী লোকসকলৰ হাতত তুলি দি তেওঁলোকৰ অধীন কৰিলে। এইদৰে ইস্ৰায়েলে সেই দেশত নিবাস কৰা ইমোৰীয়াসকলৰ গোটেই দেশ অধিকাৰ কৰিলে। ২২ তেওঁলোকে অৰ্ণোনৰ পৰা যব্বোক পৰ্যন্ত আৰু মৰুপ্ৰান্তৰ পৰা যৰ্দ্দনলৈকে ইমোৰীয়াসকলৰ সীমাৰ ভিতৰৰ সমগ্ৰ অঞ্চল অধিকাৰ কৰিলে। ২৩ এইদৰে ইস্ৰায়েল জাতিৰ ঈশ্বৰ যিহোৱাই যেতিয়া নিজে ইস্ৰায়েলৰ সন্মুখত ইমোৰীয়াসকলক খেদাই পঠালে, তেন্তে এতিয়া সেই লোকসকলৰ ভূমি জানো আপুনি অধিকাৰ কৰা উচিত? ২৪ আপোনাৰ কমোচ দেৱতাই আপোনাক যি ভূমিৰ অধিকাৰ দিছে, আপুনি জানো তাক অধিকাৰ নকৰিব? ঠিক সেইদৰে আমাৰ ঈশ্বৰ যিহোৱাই যি ঠাইৰ অধিকাৰ আমাক দিছে, আমি সেই ঠাইকে অধিকাৰ কৰিম। ২৫ এতিয়া আপুনি কি মোৱাবৰ ৰজা চিপ্পোৰৰ পুতেক বালাকতকৈও উত্তম? তেওঁ ইস্ৰায়েলৰ অহিতে বিবাদ কৰিবলৈ জানো সাহস কৰিছিল? তেওঁলোকৰ বিৰুদ্ধে তেওঁ জানো কেতিয়াবা যুদ্ধ কৰিছিল? ২৬ তিনিশ বছৰ কাল ইস্ৰায়েলী লোকসকলে হিচবোন আৰু অৰোয়েৰ চহৰত, তাৰ গাওঁবোৰত আৰু অৰ্ণোনৰ নদীৰ পাৰৰ ওচৰত থকা সকলো চহৰত বাস কৰিছিল; সেই সময়তে আপোনালোকে কিয় সেইবোৰ ঠাই দখল কৰি নললে? ২৭ এই বিষয়ত মই আপোনাৰ প্ৰতি কোনো অন্যায় কৰা নাই; বৰং মোৰ বিৰুদ্ধে যুদ্ধ কৰি আপুনিহে মোলৈ অন্যায় কৰিছে; বিচাৰকৰ্ত্তা যিহোৱায়ে এতিয়া ইস্ৰায়েলীয়া আৰু অম্মোনীয়াসকলৰ মাজত বিচাৰ কৰক’। ২৮ তথাপি যিপ্তহে কৈ পঠোৱা এই সকলো বাৰ্তাক অম্মোনীয়াসকলৰ ৰজাই অগ্ৰাহ্য কৰিলে। ২৯ তেতিয়া যিহোৱাৰ আত্মা যিপ্তহৰ ওপৰত আছিল। তাতে তেওঁ গিলিয়দ আৰু মনচিৰ মাজেদি গৈ গিলিয়দৰ মিস্পালৈ আহিল আৰু তাৰ পৰা

অম্মোনীয়াসকলৰ ওচৰলৈ গ'ল। ৩০ যিপ্তহে যিহোৱাৰ ওচৰত সঙ্কল্প
কৰি ক'লে, "তুমি যদি মোক অম্মোনীয়াসকলৰ বিৰুদ্ধে বিজয়ী কৰোঁৱা,
৩১ তেন্তে অম্মোনীয়াসকলৰ সৈতে যুদ্ধত জয়লাভ কৰি ঘূৰি যোৱাৰ
সময়ত মোক আগবঢ়াই নিবৰ কাৰণে যেয়ে দুৱাৰ মেলি ঘৰৰ বাহিৰলৈ
আহিব, সেয়ে যিহোৱাৰ হ'ব আৰু মই তাক হোমবলিৰূপে উৎসৰ্গ
কৰিম।" ৩২ তাৰ পাছত যিপ্তহে অম্মোনিয়াসকলৰ লগত যুদ্ধ কৰিবলৈ
মিস্পাৰ পৰা গ'ল আৰু যিহোৱাই তেওঁৰ হাতত অম্মোনিয়াসকলক
তুলি দিলে। ৩৩ তেওঁ অৰোয়েৰৰ পৰা মিন্নীতৰ ওচৰত নগৰবোৰত
আক্ৰমণ কৰি হত্যা কৰিলে আৰু আবেল-কৰামীমলৈকে বিশখন নগৰ
জয় কৰিলে। এইদৰে অম্মোনীয়াসকলক ইস্ৰায়েলৰ অধীন কৰা হ'ল।
৩৪ যিপ্তহে যেতিয়া মিস্পাত নিজৰ ঘৰলৈ উলটি আহিল, তেতিয়া
তেওঁক আগবঢ়াই নিবলৈ তেওঁৰ জীয়েক ওলাই আহিল। তাই খঞ্জৰী
বজাই তালে তালে নাচি নাচি ওলাই আহিল; তাই যিপ্তহৰ একেজনী
মাথোন জীয়েক আছিল আৰু তাইৰ বাহিৰে তেওঁৰ কোনো পুতেক বা
জীয়েক নাছিল। ৩৫ যিপ্তহে নিজৰ জীয়েকক দেখা পোৱা মাত্ৰে নিজৰ
কাপোৰ ফালি ক'লে, "হায়, মোৰ মাজনী! তুমি মোলৈ এয়া কি সৰ্বনাশ
কৰিলা! তুমি যে মোক অতিশয় বেজাৰ দিলা! কিয়নো মই যিহোৱাৰ
উদ্দেশ্যে যি শপত খালো, মই তাৰ পৰা ঘূৰিব নোৱাৰোঁ।" ৩৬ তাই
বাপেকক ক'লে, "পিতা, তুমি যিহোৱাক কথা দিলা, সেয়ে তোমাৰ
কথা অনুসাৰে মোৰ প্ৰতি সকলো কৰা। কিয়নো যিহোৱাই তোমাৰ
শত্ৰু অম্মোনীয়াসকলৰ ওপৰত তোমাৰ হৈ প্ৰতিকাৰ সাধিলে।" ৩৭
তাৰ পাছত তাই ক'লে, "মোৰ বাবে এটা অনুৰোধ ৰাখক। মোক
দুমাহৰ বাবে অকলে থাকিবলৈ দিয়ক; মোক পাহাৰে পাহাৰে ঘূৰি
মোৰ কুমাৰীত্বৰ অৰ্থে সখীবোৰেৰে সৈতে বিলাপ কৰিবলৈ দিয়ক।"
৩৮ যিপ্তহে ক'লে, "যোৱা।" এইবুলি তেওঁ তাইক দুমাহলৈ বিদায়
দিলে; তেতিয়া তাই নিজ সখীসকলৰ সৈতে গৈ পাহাৰবোৰৰ ওপৰত
নিজ কুমাৰীত্বৰ অৰ্থে বিলাপ কৰিবলৈ ধৰিলে। ৩৯ দুমাহৰ মূৰত তাই
বাপেকৰ ওচৰলৈ উলটি আহিল; তাইৰ বাপেকে নিজে কৰা সঙ্কল্পৰ
দৰে তাইলৈ কৰিলে; তাই কেতিয়াও কোনো পুৰুষৰ সৈতে সম্বন্ধ

নকৰিলে। এই ঘটনাৰ পৰা ইস্ৰায়েলৰ মাজত এটা ৰীতি প্ৰচলিত
হ'বলৈ ধৰিলে। ৪০ ইস্ৰায়েলীয়া যুৱতীসকলে প্ৰত্যেক বছৰে চাৰি
দিনৰ বাবে গিলিয়দীয়া যিপ্তহৰ জীয়েকৰ কথা কৈ বিলাপ কৰে।

**১২** তাৰ পাছত ইফ্ৰয়িমৰ বংশৰ লোকসকলে গোট খাই সৈন্যসকলক
মাত দিলে, তাৰ পাছত নদী পাৰহৈ চাফোন চহৰলৈ গৈ যিপ্তহক ক'লে,
"কিয় তুমি অম্মোনৰ লগত যুদ্ধ কৰিবলৈ আমাক মতা নাই বা আমাৰ
সহায় বিচাৰা নাই? আমি তোমাৰ সৈতে তোমাৰ ঘৰো জুইৰে পুৰিম"।
২ তেতিয়া যিপ্তহে তেওঁলোকক উত্তৰ দি ক'লে, "অম্মোনৰ সন্তান
সকলে আমাক নানা সমস্যাত পেলাইছিল সেই বাবে আমি তেওঁলোকৰ
লগত যুদ্ধ কৰিছোঁ, মই আৰু মোৰ লোকসকলে তোমালোকৰ সহায়
বিচাৰি তোমালোকক মাতিছিলোঁ, কিন্তু তোমালোকৰ কোনো এজনো
সহায় কৰিবলৈ আগবাঢ়ি নাহিলা; ৩ যেতিয়া দেখিলোঁ তোমালোকে
মোক কোনেও সহায় নকৰা, তেতিয়া মই নিজে নদী পাৰ হৈ প্ৰাণ
আঁচলৰ আগত বান্ধি লৈ অম্মোনৰ সন্তান সকলৰ বিৰুদ্ধে যুদ্ধত নামি
পৰিলো। তাতে যিহোৱাই মোৰ হাতত সিহঁতক সমৰ্পণ কৰিলে;
এতেকে তোমালোকে মোৰে সৈতে যুদ্ধ কৰিবলৈ আজি কিয় মোৰ
ওচৰলৈ আহিছা?" ৪ পাছত যিপ্তহে গিলিয়দৰ সকলো লোকক গোটাই
ইফ্ৰয়িমীয়া লোকসকলৰ সৈতে যুদ্ধ কৰিলে; কিয়নো সিহঁতে কৈছিল,
"হেৰৌ গিলিয়দীয়াসকল, তহঁত ইফ্ৰয়িমৰ আৰু মনচিৰ মাজৰ পৰা
পলাই অহা ইফ্ৰয়িমীয়া মানুহ।" সেই যুদ্ধত গিলিয়দৰ লোকসকলে
ইফ্ৰয়িমীয়া লোকসকলক পৰাস্ত কৰিলে। ৫ পাছত গিলিয়দীয়াসকলে
ইফ্ৰয়িমৰ মানুহৰ আগেয়ে গৈ যৰ্দ্দনৰ পাৰ-ঘাটবোৰ দখল কৰি ল'লে;
তাতে ইফ্ৰয়িমৰ পলাই যোৱা কোনো মানুহে যদি কয়, "আমক নদী
পাৰ হ'বলৈ দিয়া", তেতিয়া গিলিয়দৰ মানুহে তেওঁলোকক সোধে,
'তুমি জানো ইফ্ৰয়িমীয়া মানুহ নোহোৱা?' আৰু তেওঁ যদি কয় "নহয়",
৬ তেতিয়া তেওঁলোকে কয়, 'এবাৰ "শ্যিব্বোলেৎ" কোৱাচোন'; তেতিয়া
ইফ্ৰয়িমৰ লোকসকলে শুদ্ধৰূপে উচ্চাৰণ কৰিব নোৱাৰি "চিব্বোলেৎ"
বুলি ক'লেই, তেওঁলোকে ধৰি যৰ্দ্দনৰ পাৰৰ ঘাটত বধ কৰে। সেই
সময়ত ইফ্ৰয়িমৰ বিয়াল্লিশ হাজাৰ লোকক হত্যা কৰা হ'ল। ৭ যিপ্তহে

ছবছৰলৈকে ইস্ৰায়েলৰ বিচাৰ কৰিলে। পাছত গিলিয়দীয়া যিপ্তহৰ
মৃত্যু হোৱাত তেওঁক গিলিয়দৰ কোনো এখন নগৰত মৈদাম দিয়া
হ'ল। ৮ তেওঁৰ পাছত বৈৎলেহেমীয়া ইবচন ইস্ৰায়েলৰ বিচাৰকৰ্ত্তা
হ'ল। ৯ তেওঁৰ ত্ৰিশ জন পুতেক আছিল; আৰু তেওঁ ত্ৰিশজনী জীয়েকক
উলিয়াই দি, নিজ পুতেকহঁতৰ বাবে ত্ৰিশ জনী ছোৱালী বাহিৰৰ পৰা
আনিলে। তেওঁ সাত বছৰলৈকে ইস্ৰায়েলৰ বিচাৰ কৰিলে। ১০ পাছত
ইবচনৰ মৃত্যু হোৱাত, তেওঁক বৈৎলেহেমত মৈদাম দিয়া হ'ল। ১১
তেওঁৰ পাছত জবূলূনীয়া এলোন ইস্ৰায়েলৰ বিচাৰকৰ্ত্তা হ'ল; তেওঁ দহ
বছৰলৈকে ইস্ৰায়েলৰ বিচাৰ কৰিলে। ১২ জবূলূনীয়া এলোনৰ মৃত্যু
হোৱাৰ পাছত তেওঁক জবূলূন দেশত থকা অয়ালোনত মৈদাম দিয়া
হ'ল। ১৩ তেওঁৰ পাছত পিৰাথোনীয়া হিল্লোলৰ পুত্ৰ অব্দোন ইস্ৰায়েলৰ
বিচাৰকৰ্ত্তা হ'ল। ১৪ তেওঁৰ চল্লিশ জন পুতেক, আৰু ত্ৰিশজন
নাতিয়েক আছিল; তেওঁলোকে সত্তৰটা গাধত উঠি ফুৰে; অব্দোনে
আঠ বছৰলৈকে ইস্ৰায়েলৰ বিচাৰক আছিল। ১৫ পাছত পিৰাথোনীয়া
হিল্লোলৰ পুত্ৰ অব্দোনৰ মৃত্যু হোৱাত, অমালেকীয়াসকলৰ পৰ্ব্বতীয়া
অঞ্চল ইফ্ৰয়িম দেশৰ পিৰিয়াথোনত তেওঁক মৈদাম দিয়া হ'ল।

**১৩** পাছত ইস্ৰায়েলৰ সন্তান সকলে যিহোৱাৰ সাক্ষাতে পুনৰাই কু-
আচৰণ কৰিব ধৰিলে; তাতে যিহোৱাই চল্লিশ বছৰলৈকে তেওঁলোকক
পলেষ্টীয়াসকলৰ হাতত শোধাই দিলে। ২ সেই কালত দানীয়া গোষ্ঠীৰ
মাজত চৰা নিবাসী মানোহ নামেৰে এজন মানুহ আছিল; তেওঁৰ
পত্নী বাঁজী হোৱা বাবে সন্তান প্ৰসৱ কৰিব নোৱাৰিলে। ৩ পাছত
যিহোৱাৰ দূতে সেই মহিলাক দৰ্শন দি ক'লে, "চোৱা, তুমি বাঁজী
আৰু সন্তান প্ৰসৱ কৰা নাই; তথাপি গৰ্ভধাৰণ কৰি এটি পুত্ৰ প্ৰসৱ
কৰিবা। ৪ এই হেতুকে তুমি সাৱধান হোৱা; দ্ৰাক্ষাৰস কি সুৰা পান
নকৰিবা, কোনো অশুচি বস্তুকো ভোজন নকৰিবা। ৫ কাৰণ চোৱা, তুমি
গৰ্ভধাৰণ কৰি এটি পুত্ৰ প্ৰসৱ কৰিবা; তাৰ মুৰত খুৰ লগোৱা নহ'ব;
কিয়নো সেই লৰা গৰ্ভৰে পৰা ঈশ্বৰৰ উদ্দেশ্যে নাচৰীয় হ'ব; আৰু
পলেষ্টীয়াসকলৰ হাতৰ পৰা ইস্ৰায়েলক উদ্ধাৰ কৰিবলৈ তেওঁ আৰম্ভ
কৰিব।" ৬ তেতিয়া সেই মহিলা গৰাকীয়ে গৈ নিজ স্বামীক ক'লে

ঈশ্বৰৰ এজন লোক মোৰ ওচৰলৈ আহিছিল; তেওঁৰ সৌন্দৰ্য ঈশ্বৰৰ দূতৰ নিচিনা, তেওঁক দেখি মই বহুত ভয় খালো, কিন্তু তেওঁ ক'ৰ পৰা আহিল, সেই বিষয়ে মই সুধিবলৈ নহ'ল আৰু তেৰোঁ নিজৰ নাম মোক নক'লে। ৭ কিন্তু তেওঁ মোক ক'লে, 'চোৱা, তুমি গৰ্ভধাৰণ কৰি এটি পুত্ৰ প্ৰসৱ কৰিবা; এই হেতুকে তুমি দ্ৰাক্ষাৰস বা সুৰা পান নকৰিবা, কোনো অশুচি বস্তুও ভোজন নকৰিবা; কিয়নো সেই ল'ৰা জন্মৰে পৰা মৰণৰ দিনলৈকে ঈশ্বৰৰ উদ্দেশ্যে নাচৰীয় হ'ব'। ৮ তেতিয়া মানোহে যিহোৱাৰ আগত বিনয় কৰি ক'লে, "হে প্ৰভু, মিনতি কৰোঁ, আপুনি পঠোৱা ঈশ্বৰৰ সেই লোকক আমাৰ ওচৰলৈ পুনৰাই আহিব দিয়ক, যি ল'ৰা জন্মিব, তালৈ আমি কি কৰিব লাগিব, তেওঁ আমাক পুনৰাই বুজাই দিয়ক।" ৯ তেতিয়া ঈশ্বৰে মানোহৰ কথা শুনাৰ পাছত, ঈশ্বৰৰ দূত আকৌ সেই মহিলাৰ ওচৰলৈ আহিল। সেই সময়ত তাই পথাৰত বহি আছিল, কিন্তু তাইৰ স্বামী মানোহ তাইৰ লগত নাছিল। ১০ পাছত সেই মহিলা গৰাকীয়ে বেগাই গৈ নিজ স্বামীক সম্বাদ দি ক'লে, "চোৱা, সেইদিনা যিজন লোক মোৰ ওচৰলৈ আহিছিল, তেওঁ পুনৰ মোক দৰ্শন দিছে।" ১১ তেতিয়া মানোহে উঠি নিজৰ পত্নীৰ পাছে পাছে সেই পুৰুষজনৰ ওচৰলৈ গৈ তেওঁক সুধিলে, "এই মহিলাৰ সৈতে যিজনাই কথা কৈছিল, সেইজনা আপুনিয়েই নে?" তেওঁ ক'লে, "হয়, ময়েই হওঁ।" ১২ তেতিয়া মানোহে ক'লে, "আশা কৰোঁ আপোনাৰ কথা সত্য হওঁক; কিন্তু সেই ল'ৰাজনে কিদৰে জীৱন কটাব আৰু কি কৰ্ম কৰিব?" ১৩ তেতিয়া যিহোৱাৰ দূতে মানোহক ক'লে, "মই এই মহিলাক যিবোৰ কথা ক'লো, সেই সকলো বিষয়ত তেওঁ সাৱধানে থাকক। ১৪ তেওঁ দ্ৰাক্ষালতাৰ পৰা উৎপন্ন হোৱা কোনো বস্তু ভোজন নকৰক আৰু দ্ৰাক্ষাৰস কি সুৰা পান নকৰক আৰু কোনো অশুচি বস্তু নাখাওঁক; মই তেওঁক যি যি আজ্ঞা কৰিলোঁ, তেওঁ সেই সকলোকে পালন কৰক।" ১৫ পাছত মানোহে যিহোৱাৰ দূতক ক'লে, "আপুনি আমাৰ মিনতি গ্ৰহণ কৰি ইয়াতে অলপ সময় থাকক, আমি আপোনাৰ বাবে এটি ছাগলী পোৱালি যুগুত কৰোঁ।" ১৬ তেতিয়া যিহোৱাৰ দূতে মানোহক ক'লে, "যদিও মই ইয়াত থাকো তথাপি মই তোমাৰ আহাৰ ভোজন নকৰিম;

কিন্তু তুমি যদি হোম-বলি যুগুত কৰা, তেনেহলে সেয়া যিহোৱাৰ উদ্দেশ্যেই উৎসৰ্গ কৰিবা।" কিয়নো তেওঁ যে যিহোৱাৰ দূত, সেই বিষয়ে মনোহে নাজানিছিল। ১৭ তেতিয়া মানোহে যিহোৱাৰ দূতক সুধিলে, "আপোনাৰ বাক্য সিদ্ধ হ'লে আমি আপোনাক মৰ্যদা কৰিবলৈ, আপোনাৰ নাম কি কওকচোন?" ১৮ তেতিয়া যিহোৱাৰ দূতে ক'লে, "মোৰ নাম কেলেই সুধিছা? কিয়নো এই নাম অতি আশ্চৰ্য্যকৰ!" ১৯ পাছত মানোহে ভক্ষ্য নৈবেদ্যেৰে সৈতে সেই ছাগলী লৈ, যিহোৱাৰ উদ্দেশ্যে শিলটোৰ ওপৰত উৎসৰ্গ কৰিলে; তাতে মনোহ আৰু তেওঁৰ পত্নিৰ চকুৰ আগতে সেই দূতে আচৰিত কাৰ্য সাধন কৰিলে। ২০ কিয়নো যেতিয়া অগ্নিশিখা যজ্ঞ-বেদিৰ পৰা আকাশৰ ফালে ওপৰলৈ উঠিল তেতিয়া মানোহ আৰু তেওঁৰ পত্নিয়ে দেখাতে যিহোৱাৰ দূত সেই যজ্ঞ-বেদিৰ শিখাত ওপৰলৈ উঠি গ'ল; তাতে তেওঁলোকে এই দৃশ্য দেখি দুজনে মাটিত উবুৰিহৈ প্ৰণাম কৰিলে। ২১ তাৰ পাছত যিহোৱাৰ দূতে মানোহ আৰু তেওঁৰ পত্নিক পুনৰাই দৰ্শন নিদিলে। তেওঁ যে যিহোৱাৰ দূত, সেই বিষয়ে তেতিয়াহে মানোহে জানিলে। ২২ পাছত মানোহে তেওঁৰ পত্নিক ক'লে, "আমি নিশ্চয়ে মৰিম; কিয়নো আমি ঈশ্বৰক দেখা পালোঁ।" ২৩ কিন্তু তেওঁৰ পত্নিয়ে তেওঁক ক'লে, "আমাক বধ কৰিবলৈ যদি ঈশ্বৰৰ ইচ্ছা হ'লহেঁতেন, তেন্তে তেওঁ আমাৰ পৰা হোম-বলি আৰু নৈবেদ্য গ্ৰহণ নকৰিলেহেঁতেন, আৰু এই সকলো আমাক নেদেখুৱালেহেঁতেন আৰু এই সময়ত আমাক এনে কথাও নুশুনালেহেঁতেন।" ২৪ পাছত মহিলা গৰাকীয়ে এটি পুত্ৰ প্ৰসৱ কৰিলে আৰু তেওঁৰ নাম চিমচোন ৰাখিলে। তাৰ পাছত সেই ল'ৰা বাঢ়ি ডাঙৰ হ'ল আৰু যিহোৱাই তাক আশীৰ্ব্বাদ কৰিলে। ২৫ প্ৰথমে যিহোৱাৰ আত্মাই চৰা আৰু ইষ্টায়োলৰ মাজ ঠাইত থকা মহনেদানত চিমচোনক কাৰ্য্য কৰিবলৈ সক্ৰিয় কৰিলে।

**১৪** পাছত চিমচোনে তিম্নালৈ নামি গ'ল আৰু সেই ঠাইত পলেষ্টীয়াসকলৰ জীয়াৰীবোৰৰ মাজত এজনী ছোৱালী দেখা পালে। ২ আৰু উলটি আহি নিজৰ মাক-বাপেকক ক'লে, "মই তিম্নাত পলেষ্টীয়াসকলৰ জীয়াৰীবোৰৰ মাজত এজনী ছোৱালী দেখিলোঁ;

তোমালোকে তেওঁক আনি মোৰে সৈতে বিয়া কৰাই মোৰ পত্নী হ'বলৈ দিয়া।" ৩ তেতিয়া তেওঁৰ বাপেক-মাকে তেওঁক ক'লে, "তোমাৰ ভাইসকলৰ মাজত আৰু মোৰ স্ব-জাতীয় লোকসকলৰ মাজত জানো ছোৱালী নাই যে, তুমি সেই অচুন্নৎ পলেষ্টীয়াসকলৰ ছোৱালী আনিবলৈ যাব খুজিছা।" চিমচোনে তেওঁৰ বাপেকক ক'লে, "তুমি মোৰ কাৰণে তেওঁকেই আনিবলৈ দিয়া; কিয়নো যেতিয়া মই তেওঁক চালোঁ, তেতিয়া তেৱেঁই মোক সন্তোষ দিলে।" ৪ কিন্তু তেওঁৰ মাক বাপেকে নাজানিলে, যে সেয়ে যিহোৱাৰ পৰা হৈছে; কাৰণ তেওঁ পলেষ্টীয়াসকলৰ বিৰুদ্ধে ছিদ্ৰ বিচাৰিছিল। সেই কালত ফিলিস্তীয়াসকলে ইস্ৰায়েলক শাসন কৰিছিল। ৫ পাছত চিমচোন আৰু তেওঁৰ বাপেক-মাক তিম্নালৈ নামি গৈ তিম্নাত থকা দ্ৰাক্ষাবাৰী পোৱাত, এটা ডেকা সিংহই চিমচোনৰ বিৰুদ্ধে গৰ্জ্জন কৰি খেদি আহিল। ৬ তেতিয়া যিহোৱাৰ আত্মা তেওঁৰ ওপৰত স্থিতি হ'ল, তেওঁৰ হাতত একো নথকাটো, ছাগলী পোৱালি ছিৰা নিচিনাকৈ তেওঁ সেই সিংহক ছিৰি পেলালে; কিন্তু তেওঁ কি কৰিলে সেই বিষয়ে নিজৰ মাক-বাপেকক নক'লে। ৭ পাছত চিমচোনে গৈ সেই ছোৱালীৰ লগত কথা বতৰা হ'ল আৰু যেতিয়া তেওঁ সেই ছোৱালী জনীক চালে তেওঁক চাই সন্তুষ্ট হ'ল। ৮ কিছু কালৰ পাছত, তেওঁ যেতিয়া সেই ছোৱালীক বিয়া কৰাই আনিবলৈ পুনৰাই সেই ঠাইলৈ গৈছিল, তেতিয়া সেই সিংহৰ শৱ চাবলৈ বাট এৰি গৈ দেখিলে যে, সিংহৰ শৱৰ ভিতৰত এজাক মৌ-মাখি আৰু মৌ আছে; ৯ তেতিয়া তেওঁ তাক আনি হাতত লৈ খাই খাই গ'ল আৰু বাপেক মাকৰ ওচৰ পাই তেওঁলোককো কিছু দিয়াত, তেওঁলোকেও খালে। কিন্তু তেওঁ যে সেই মৌ সিংহৰ শৱৰ পৰা আনিলে, সেই বিষয়ে তেওঁ তেওঁলোকক নক'লে। ১০ পাছত তেওঁৰ বাপেক সেই ছোৱালীৰ ওচৰলৈ যোৱাত, চিমচোনে সেই ঠাইতে ভোজ যুগুত কৰিলে; কিয়নো ডেকা লোক সকলৰ তেনে ধৰণৰ নিয়ম আছিল। ১১ পাছত তেওঁক দেখি ফীলিস্টীয়াসকলে তেওঁৰ ওচৰত থাকিবলৈ ত্ৰিশ জন সখিয়েক আনিলে। ১২ পাছত চিমচোনে তেওঁলোকক ক'লে, "মই তোমালোকক এটি সাঁথৰ কওঁ, তোমালোকে উৎসৱৰ এই সাত দিনৰ ভিতৰতে যদি

মোক তাৰ অৰ্থ ঠিক ৰূপে বুজাই ক'ব পাৰা, তেন্তে মই তোমালোকক গাত লোৱা শণৰ ত্ৰিশ খন বস্ত্ৰ আৰু ত্ৰিশ যোৰ কাপোৰ দিম। ১৩ কিন্তু যদি মোক তাৰ অৰ্থ ক'ব নোৱাৰা, তেন্তে তোমালোকে মোক গাত লোৱা শণৰ ত্ৰিশ খন বস্ত্ৰ আৰু ত্ৰিশ যোৰ কাপোৰ দিবা।" তেতিয়া সিহঁতে তেওঁক ক'লে, "তোমাৰ সাঁথৰ কোৱা, আমি তাক শুনো।" ১৪ তেতিয়া তেওঁ তেওঁলোকক ক'লে, "খাওঁতাৰ পৰা খোৱা বস্তু আৰু বলৱানৰ পৰা মধু ওলাল।" তাতে সিহঁতে তিনদিনৰ ভিতৰত সেই সাঁথৰৰ অৰ্থ ক'ব নোৱাৰিলে। ১৫ পাছত সপ্তম দিন হ'লত, সিহঁতে চিমচোনৰ ঘৈনীয়েকক ক'লে, "যাতে তোমাৰ গিৰীয়েৰে সাঁথৰৰ অৰ্থ আমাক কয়, এই কাৰণে তুমি তেওঁক ফুচুলাবা, নহ'লে আমি তোমাক আৰু তোমাৰ পিতৃ বংশক জুইত পুৰিম; তোমালোকে আমাক দৰিদ্ৰ কৰিবৰ অৰ্থেহে নিমন্ত্ৰণ কৰিছিলা, এনে নহয় জানো?" ১৬ পাছত চিমচোনৰ ঘৈনীয়েকে গিৰীয়েকৰ গুৰিত কান্দি ক'লে, "তুমি মোক কেৱল ঘিণ কৰিছা, এফেৰিও মৰম নকৰা; মোৰ স্বজাতীয়সকলক এটি সাঁথৰ ক'লা, কিন্তু মোক তাৰ অৰ্থ বুজাই নক'লা।" তেতিয়া তেওঁ ক'লে, "চোৱা, মোৰ বোপাই আইকে এই বিষয়ে বুজাই কোৱা নাই, তেন্তে তোমাক বুজাই ক'মনে?" ১৭ তথাপি তেওঁৰ ঘৈনীয়েকে উৎসৱৰ সাত দিনৰ শেষলৈকে তেওঁৰ গুৰিত কান্দি কান্দি থাকিল; পাছত মহিলাই তেওঁক বৰকৈ ধৰাত, তেওঁ সপ্তম দিনা তেওঁক বুজাই ক'লে; তেতিয়া তেওঁ সেই স্বজাতীয়সকলক সাঁথৰৰ অৰ্থ কৈ দিলে। ১৮ পাছত সপ্তম দিনা সূৰ্য মাৰ যোৱাৰ আগেয়ে সেই নগৰত থকা লোকসকলে তেওঁক ক'লে, "মৌতকৈ মিঠা কি? আৰু সিংহতকৈ বলৱান কোন?" তাতে চিমচোনে তেওঁলোকক ক'লে, "তোমালোকে মোৰ চেঁউৰী গৰুৰে হাল নোবোৱা হ'লে, মোৰ সাঁথৰৰ অৰ্থ উলিয়াব নোৱাৰিলা হয়।" ১৯ পাছত যিহোৱাৰ আত্মা তেওঁৰ ওপৰত স্থিতি হোৱাত তেওঁ অস্কিলোনলৈ নামি গল আৰু সেই ঠাইৰ ত্ৰিশজন মানুহক বধ কৰি সিহঁতৰ কাপোৰ সোলোকাই আনি সেই কাপোৰেৰে এযোৰ এযোৰ সাঁথৰৰ অৰ্থ কোৱাবোৰক দিলে; আৰু খঙত জ্বলি উঠি নিজৰ

বাপেকৰ ঘৰলৈ গুচি গ’ল। ২০ পাছত চিমচোনে নিজৰ প্ৰিয় মিত্ৰক তেওঁৰ পত্নীক দি দিলে।

**১৫** কিছু দিনৰ পাছত ঘেঁহুধান দাবৰ সময়ত চিমচোনে এটা ছাগলী লগত লৈ নিজৰ পত্নীৰে সৈতে সাক্ষাৎ হ’বৰ বাবে গৈ ক’লে, “মই মোৰ পত্নীৰ ওচৰত যাবৰ বাবে ভিতৰ কোঠালিলৈ যাওঁ”; কিন্তু তাইৰ বাপেকে তেওঁক ভিতৰলৈ যাব নিদিলে। ২ আৰু তাইৰ বাপেকে ক’লে, “সঁচাকৈ তুমি তাইক ঘিণ কৰিলা বুলি ভাবি, মই তাইক তোমাৰ সখীয়েৰাক দিলোঁ; তাইৰ সৰু ভনীয়েক জানো তাইতকৈ সুন্দৰী নহয়? মই নিবেদন কৰোঁ, তাইৰ সলনি তায়ে তোমাৰ পত্নী হওক, তুমি তেওঁকেই লৈ যোৱা।” ৩ তেতিয়া চিমচোনে সিহঁতক ক’লে, “এইবাৰ মই পলেষ্টীয়াসকলক কোনো বিষয়ত আঘাত কৰিলেও তেওঁলোকৰ ওচৰত কোনেও মোক দোষী সাব্যস্ত কৰিব নোৱাৰে।” ৪ পাছত চিমচোনে গৈ তিনিশ শিয়াল ধৰি, নেজে নেজে জুঁটি দুডাল দুডাল নেজত এটা এটা আৰিয়া বান্ধিলে। ৫ পাছত সেই আৰিয়াত জুই লগাই পলেষ্টীয়াসকলৰ থিয় হৈ থকা পকা ধাননিৰ মাজত এৰি দিলে; তাতে বন্ধা মুঠি আৰু নোদোৱা থিয় হৈ থকা ধান আৰু জিত গছৰ বাৰীবোৰ পুৰি পেলালে। ৬ তেতিয়া পলেষ্টীয়াসকলে সুধিলে, “এই কাম কোনে কৰিলে?” মানুহে ক’লে, তিম্নায়ীয়াৰ জোঁৱায়েক চিমচোনে এই কাম কৰিলে, কিয়নো তেওঁৰ শহুৰেকে তেওঁৰ ঘৈনীয়েকক তেওঁৰ সখীয়েকক দিলে; তাতে ফীলিস্টীয়াসকলে আহি সেই মহিলা আৰু তাইৰ বাপেকক জুই দি পুৰিলে। ৭ পাছত চিমচোনে সিহঁতক ক’লে, “এয়া তোমালোকে যি কৰি মোৰ ক্ষতি কৰিলা, এতিয়া মই তোমালোকৰ ক্ষতি কৰিম। ইয়াৰ পাছতহে তোমালোকৰ ওপৰত প্ৰতিশোধ লোৱা সমাপ্ত হ’ব।” ৮ ইয়াকে কৈ তেওঁ নিৰ্দ্দয়ৰূপে সিহঁতক প্ৰহাৰ কৰি তেওঁলোকৰ অধিক লোকক বধ কৰিলে, পাছত তেওঁ এটম শিলৰ গুহালৈ গ’ল আৰু তাতেই বাস কৰিলে। ৯ সেই সময়ত পলেষ্টীয়াসকলে যিহূদালৈ গ’ল। লেহী নামৰ ঠাইত তেওঁলোকে বিশ্ৰাম ল’লে আৰু তেওঁলোকৰ সৈন্যসকলে সেই ঠাইত তম্বু তৰি যুদ্ধৰ বাবে যুগুত হ’ল। ১০ তাতে যিহূদাৰ মানুহবোৰে সুধিলে, “তোমালোকে

আমাৰ বিৰুদ্ধে কিয় যুদ্ধ কৰিবলৈ উঠি আহিলা?” সিহঁতে ক’লে, “আমি চিমচোনক বান্ধিবলৈ আহিলোঁ, সি আমালৈ যেনে কৰিলে, আমিও তাক তেনে কৰিবলৈ আহিলোঁ।” ১১ তেতিয়া যিহূদাৰ তিনি হাজাৰ লোকে এটম শিলৰ গুহালৈ নামি গৈ চিমচোনক ক’লে, “পলেষ্টীয়াসকল যে আমাৰ শাসনকৰ্ত্তা, সেই বিষয়ে তুমি নাজানা নেকি? তেন্তে আমাৰ বিৰুদ্ধে এইটো কি কাম কৰিলা?” তাতে তেওঁ তেওঁলোকক ক’লে, “সিহঁতে মোলৈ যেনে কৰিলে, ময়ো সিহঁতলৈ তেনে কৰিলোঁ।” ১২ তেওঁলোকে তেওঁক ক’লে, “এতিয়া আমি পলেষ্টীয়াসকলৰ হাতত শোধাই দিবৰ অৰ্থে তোমাক বান্ধি নিবলৈ নামি আহিলোঁ।” চিমচোনে তেওঁলোকক ক’লে, “তোমালোকে মোক বধ নকৰোঁ বুলি শপত খোৱা।” ১৩ তেওঁলোকে ক’লে “নহয়, কেৱল আমি তোমাক শকতকৈ বান্ধি নি সিহঁতৰ হাতত শোধাই দিম; আমি নিশ্চয়ে তোমাক বধ নকৰোঁ।” পাছত তেওঁলোকে দুগজ নতুন ৰচীৰে তেওঁক বান্ধি সেই শিলৰ পৰা লৈ গ’ল। ১৪ পাছত তেওঁ যেতিয়া লেহী পালে তেতিয়া, পলেষ্টীয়াসকলে তেওঁক পাই বৰকৈ জয় ধ্বনি কৰিলে। তেতিয়া যিহোৱাৰ আত্মা পূৰ্ণ শক্তিত তেওঁৰ ওপৰত স্থিতি হোৱাত তেওঁৰ বাহুত বান্ধি ৰখা ৰচীবোৰ পুৰি যোৱা শণৰ নিচিনা হ’ল আৰু তেওঁৰ হাতৰ পৰা বন্ধন খহি পৰিল। ১৫ পাছত তেওঁ গাধৰ গালৰ এডাল কেঁচা হাড় পাই হাত মেলি সেই ডাল ল’লে, তাৰেই এক হাজাৰ লোকক বধ কৰিলে। ১৬ তেতিয়া চিমচোনে ক’লে, “গাধৰ গালৰ হাড়ডালেৰে দ’মৰ উপৰি দ’ম কৰিলোঁ; গাধৰ গালৰ হাড়ডালেৰে এক হাজাৰ লোকক বধ কৰিলোঁ।” ১৭ পাছত তেওঁৰ কথা কোৱা শেষ হোৱাত, হাতৰ পৰা হাড়ডাল পেলাই দিলে; তাতে সেই ঠাইৰ নাম ৰামৎ-লেহী হ’ল। ১৮ পাছত তেওঁৰ বৰকৈ পিয়াহ লগাত, তেওঁ যিহোৱাৰ আগত প্ৰাৰ্থনা কৰি ক’লে, “তুমি তোমাৰ এই দাসৰ হাতেৰে এই মহা-নিস্তাৰ কৰিলা; এতিয়া মই পিয়াহত মৰি সেই অচুন্নৎহঁতৰ হাতত পৰিম।” ১৯ তাতে যিহোৱাই লেহীত থকা, কুণ্ডৰ নিচিনা দ ঠাইত শিল ফালি বাট উলিওৱাত তাৰ পৰা পানী ওলাল। তেতিয়া তেওঁ জলপান কৰাৰ পাছত প্ৰাণত চেতনা পালে; এই হেতুকে তাৰ

নাম অয়িন-হক্কোৰ ৰখা হ'ল; সেই জলৰ ভুমুক এতিয়ালৈকে লেহীত
আছে। ২০ পলেষ্টীয়াসকলৰ দিনত তেওঁ বিশ বছৰলৈকে ইস্রায়েলৰ
বিচাৰ কৰিলে।

**১৬** এদিন চিমচোন গাজালৈ গৈছিল আৰু তাত এজনী বেশ্যা তিৰোতা
দেখি তাইৰ ওচৰলৈ গ'ল। ২ তাতে "চিমচোন এই ঠাইলৈ আহিছে"
বুলি ঘচাতীয়াহঁতে যেতিয়া জানিব পাৰিলে, তেতিয়া তেওঁলোকে
সেই ঠাইখন বেৰি ধৰি নগৰৰ দুৱাৰত ওৰে ৰাতি তেওঁলৈ খাপ দি
লুকাই থাকিল। "আহাঁ আমি ৰাতিপুৱালৈকে থাকো আৰু দিন হ'লে
আমি তাক বধ কৰিম এইবুলি কৈ ওৰে ৰাতি মনে মনে থাকিল।" ৩
কিন্তু চিমচোন মাজ নিশালৈকে তাতে থাকি, মাজনিশা উঠি নগৰৰ
দুৱাৰৰ দুখলপা আৰু খুঁটা দুটা হাতেৰে ধৰি উঘালি ডাঙেৰে সৈতে
কান্ধত তুলি হিব্ৰোণৰ আগত থকা পৰ্ব্বতৰ টিঙলৈ লৈ গ'ল। ৪ তাৰ
পাছত চোৰেক উপত্যকাত থকা দলীলা নামেৰে এজনী তিৰোতাৰ
প্ৰেমত মোহ গ'ল। ৫ তাতে পলেষ্টীয়াসকলৰ অধিপতিসকল তাইৰ
ওচৰলৈ আহিল আৰু তাইক ক'লে, "তই তাক ফুচুলাই তাৰ এই
গোপণ ৰহস্য জানিবলৈ চেষ্টা কৰ। তেতিয়া তাক কি দৰে ধৰি বান্ধিব
পাৰিম, সেই বিষয়ে জানিব পাৰিম আৰু আমি তাক ইচ্ছামতে চলাব
পাৰিম। যদি তই এইটো কাম কৰি দিয়, আমি প্ৰত্যেকে তোক
এঘাৰ শ চেকল ৰূপৰ মুদ্ৰা দিম।" ৬ পাছত দলীলাই চিমচোনক
ক'লে, "বিনয় কৰোঁ তোমাৰ এনে মহাবল কিহত আছে আৰু দুৰ্গতি
কৰিবলৈ তোমাক কিহেৰে বান্ধিব লাগে সেই বিষয়ে মোক কোৱা।"
৭ তেতিয়া চিমচোনে তাইক ক'লে "নতুন সাত খন ধনুৰ নুশুকুৱা
গুণেৰে যদি মোক বান্ধে, তেতিয়া মই দুৰ্ব্বল হৈ আন মানুহৰ নিচিনা
হ'ম।" ৮ পাছত পলেষ্টীয়াসকলৰ অধিপতিসকলে সাতডাল নুশুকুৱা
ধনুৰগুণ আনি সেই মহিলাক দিলে; তেতিয়া তাই তাৰে চিমচোনক
বান্ধিলে। ৯ সেই সময়ত তাইৰ ঘৰৰ ভিতৰ-কোঠালিত গোপনে
মানুহ বহি আছিল; পাছত দলীলাই চিমচোনক ক'লে, "হেৰা চিমচোন,
পলেষ্টীয়াহঁতে তোমাক ধৰেহে এতিয়া।" তাতে জুইৰ তাপত শণ সূতা
যেনেকৈ ছিগে, তেনেকৈ তেওঁ সেই ধনুৰ গুণবোৰ বোৰ ছিঙি পেলালে;

এইদৰে তেওঁৰ শক্তিৰ বিষয়ে একো বুজি পোৱা নগ'ল। ১০ পাছত দলীলাই চিমচোনক ক'লে "চোৱা, তুমি মোক ঠগিলা আৰু মিছা কথা ক'লা; এতিয়া বিনয় কৰোঁ, তুমি কোৱাচোন তোমাৰ এই মহাশক্তি কৰ পৰা হয়।" ১১ তেতিয়া তেওঁ তাইক ক'লে, "যি ৰছীৰে কোনো লোকে কোনো কাম কৰা নাই, এনে কেইবাডালো নতুন ৰছীৰে যদি মোক বান্ধে, তেতিয়া মই দুৰ্ব্বল হৈ আন মানুহৰ নিচিনা হ'ম।" ১২ তাতে দলীলাই নতুন ৰছী কেইডালমান লৈ তাৰে তেওঁক বান্ধিলে; তেতিয়া তাইৰ ঘৰৰ ভিতৰ-কোঠালিত গোপনে মানুহ বহি আছিল; পাছত দলীলাই তেওঁক ক'লে "হেৰা চিমচোন, পলেষ্টীয়াহঁতে তোমাক ধৰেহে এতিয়া;" তেতিয়া তেওঁ নিজৰ হাতেৰে সেইবোৰক সূতাৰ নিচিনাকৈ ছিঙি পেলালে। ১৩ পাছত দলীলাই চিমচোনক ক'লে, "তুমি এতিয়াও মোক ঠগিলা আৰু মিছা কথা কৈছা; কিহেৰে তোমাক বান্ধিব পৰা যায় সেই বিষয়ে মোক কোৱা।" চিমচোনে তাইক ক'লে, "তই যদি মোৰ চুলি সাতকোঁচা তাঁতৰ লগত বব, তেতিয়া হ'লে মই আন মানুহৰ দৰে হৈ পৰিম।" ১৪ তেতিয়া তাই তাঁতৰ খুটিৰ লগত তাক বান্ধি তেওঁক ক'লে, "হেৰা চিমচোন, পলেষ্টীয়াসকলে তোমাক ধৰেহে এতিয়া;" তাতে তেওঁ টোপনিৰ পৰা সাৰ পাই, তাঁতেৰে সৈতে তাঁতৰ খুটি উঘালি পেলালে। ১৫ পাছত দলীলাই তেওঁক ক'লে, "তুমি মোক বিশ্বাস কৰা নাই; অথচ তুমি মোক ভাল পাওঁ বুলি কোৱা। তোমাৰ মহাশক্তিৰ গোপন ৰহস্যৰ কথা তুমি মোক নক'লা; কিন্তু এই বিষয়লৈ তুমি মোক তিনিবাৰকৈ ঠগিলা।" ১৬ এইদৰে তাই প্ৰতিদিনে তেওঁক ইমানকৈ ধৰিলে যে, তেওঁৰ নিজ প্ৰাণত বেজাৰ লাগিল আৰু মৰিবলৈ ইচ্ছা কৰিলে। ১৭ তেতিয়া তেওঁ নিজৰ মনৰ সকলো কথা ভাঙি-পাতি এইদৰে ক'লে যে, "মোৰ মূৰত কেতিয়াও খুৰ লগোৱা হোৱা নাই, কিয়নো মাৰ গৰ্ভৰে পৰা মই ঈশ্বৰৰ উদ্দেশ্যে নাচৰীয় মানুহ; মুৰ খুৰালেই মোৰ শক্তিয়ে মোক এৰি যাব; তেতিয়া মই দুৰ্ব্বল হৈ আন মানুহৰ নিচিনা হ'ম।" ১৮ এইদৰে তেওঁ মনৰ সকলো কথা ভাঙি ক'লে বুলি দলীলাই বুজি পোৱাৰ পাছত, মানুহ পঠিয়াই পলেষ্টীয়াসকলৰ অধিপতি সকলক মাতি আনি ক'লে, "এইবাৰ আহঁ

কিয়নো তেওঁ মোক নিজৰ মনৰ সকলো কথা ভাঙি-পাতি ক'লে।" তেতিয়া ফিলিষ্টীয়াসকলৰ অধিপতিসকলে ধন হাতত লৈ তাইৰ ওচৰলৈ আহিল। ১৯ পাছত তাই নিজৰ কোলাত তেওঁক শুৱাই ল'লে আৰু এটা মানুহ মাতি আনি তেওঁৰ মূৰৰ সাতকোঁচা চুলি খুৰুৱালে; আৰু তেওঁক দুখ দিবলৈ ধৰিলে। তাতে তেওঁৰ শক্তিয়ে তেওঁক এৰি গ'ল। ২০ পাছত তাই ক'লে, "হেৰা চিমচোন, পলেষ্টীয়াহঁতে তোমাক ধৰেহে এতিয়া।" তাতে তেওঁ টোপনিৰ পৰা সাৰ পাই মনতে ভাবিলে আন আন সময়ৰ নিচিনাকৈ বাহিৰলৈ গৈ গা জোকাৰিম; কিন্তু যিহোৱাই যে তেওঁক ত্যাগ কৰিলে সেই বিষয়ে হ'লে তেওঁ নাজানিলে। ২১ পাছত পলেষ্টীয়াহঁতে তেওঁক বন্দী কৰিলে। তাৰ পাছত তেওঁৰ চকু দুটা কাঢ়িলে; তেওঁক গাজালৈ আনি পিতলৰ দুডাল শিকলিৰে বান্ধিলে আৰু তেওঁ কাৰাগাৰত জাঁত পিহিলে। ২২ তথাপি খুৰুৱাৰ পাছত তেওঁৰ মুৰৰ চুলি আকৌ বাঢ়িবলৈ ধৰিলে। ২৩ পাছত পলেষ্টীয়াসকলৰ অধিপতিসকলে তেওঁলোকৰ দেৱতা দাগোনৰ উদ্দেশ্যে মহা-যজ্ঞ আৰু ৰং ধেমালি কৰিবলৈ গোট খালে; কিয়নো সিহঁতে ক'লে, "আমাৰ দেৱতাই আমাৰ শত্ৰু চিমচোনক আমাৰ হাতত দিলে।" ২৪ আৰু তেওঁক দেখি লোকসকলে তেওঁলোকৰ দেৱতাৰ প্ৰশংসা কৰিলে; কিয়নো তেওঁলোকে ক'লে "আমাৰ অনেকক বধ কৰি, দেশ বিনষ্ট কৰা শত্ৰুক আমাৰ দেৱতাই আমাৰ হাতত সমৰ্পণ কৰিলে।" ২৫ পাছত সিহঁতে আনন্দ উৎসৱ পাতি ক'লে, "চিমচোনক বাহিৰলৈ মাতি আনা, সি আমাৰ আগত ৰং দেখুৱাওঁক।" তেতিয়া লোকসকলে বন্দীশালৰ পৰা চিমচোনক উলিয়াই আনিলে আৰু তেওঁ সিহঁতৰ আগত ৰং দেখুৱালে; পাছত সিহঁতে স্তম্ভ দুটাৰ মাজত তেওঁক থিয় কৰালে। ২৬ তেতিয়া চিমচোনে তেওঁৰ হাতত ধৰি থকা ল'ৰাটোক ক'লে, "মোক এৰি দে, যি দুটা স্তম্ভৰ ওপৰত ঘৰৰ ভৰ আছে, সেই দুটা মোক চুবলৈ দে, মই তাত আঁউজি থিয় হওঁ।" ২৭ সেই সময়ত পুৰুষ-মহিলাৰে সেই ঘৰ ভৰি আছিল আৰু পলেষ্টীয়াসকলৰ সকলো অধিপতিও তাত আছিল। ঘৰৰ চালৰ ওপৰত প্ৰায় তিনি হাজাৰ পুৰুষ-মহিলাই চিমচোনে দেখুউৱা ৰং চাই আছিল। ২৮ তেতিয়া চিমচোনে

যিহোৱাৰ আগত প্ৰাৰ্থনা কৰি ক'লে, "হে প্ৰভু যিহোৱা মই যেন মোৰ
চকু দুটাৰ কাৰণে পলেষ্টীয়াসকলৰ ওপৰত একেবাৰে প্ৰতিকাৰ সাধিব
পাৰোঁ, ইয়াৰ বাবে মোক অনুগ্ৰহ কৰি সোঁৱৰণ কৰা: হে ঈশ্বৰ, এইবাৰ
মাথোন মোক বলৱান কৰা।" ২৯ তাতে মাজত থকা স্তম্ভ দুটাৰ ওপৰত
ঘৰৰ ভৰ আছিল, চিমচোনে তাৰ এটাক সোঁহাতেৰে, আনটোক বাওঁ-
হাতেৰে ধৰি চাপৰি ক'লে "পলেষ্টীয়াহঁতৰ সৈতে মোৰ প্ৰাণ যাওক।"
৩০ এইবুলি কৈ, নিজৰ সকলো বলেৰে তেওঁ ভৰ দিলে; তেতিয়া সেই
ঘৰ, তাৰ ভিতৰত থকা অধিপতি আদি সকলো লোকৰ ওপৰত পৰিল;
এইদৰে তেওঁ জীৱনৰ কালত বধ কৰা লোকতকৈ মৰণৰ কালত বধ
কৰা লোক অধিক হ'ল। ৩১ পাছত তেওঁ ভাইসকলৰ লগতে আদি কৰি
সকলো পিতৃ-বংশই নামি আহি, তেওঁক লৈ গৈ চৰা আৰু ইষ্টায়োলৰ
মাজ ঠাইত তেওঁৰ পিতৃ মানোহৰ মৈদামত তেওঁকো মৈদাম দিলে।
তেওঁ বিশ বছৰ ইস্ৰায়েলৰ বিচাৰ কৰিছিল।

**১৭** ইফ্ৰয়িম পৰ্ব্বতীয়া অঞ্চলত মীখা নামেৰে এজন মানুহ আছিল।
২ তেওঁ নিজৰ মাকক ক'লে, "তোমাৰ পৰা নিয়া যি এঘাৰ শ চেকল
ৰূপৰ বাবে তুমি শাও দিছিলা আৰু তাক মই শুনাকৈ কৈছিলা চোৰা,
সেই ৰূপ মোৰ হাতত আছে; ময়েই তাক নিছিলোঁ।" তেতিয়া তেওঁৰ
মাকে ক'লে, "যিহোৱাৰ পৰা মোৰ পুত্ৰ আশীৰ্ব্বাদ-প্ৰাপ্ত হোৱা।" ৩
পাছত সেই এঘাৰ শ চেকল ৰূপ নিজ মাকক ওলোটাই দিয়াত, মাকে
ক'লে, "এই ৰূপ মই যিহোৱাৰ উদ্দেশ্যে পবিত্ৰ কৰিছোঁ; এটা কটা
প্ৰতিমা আৰু এটা সাঁচত ঢলা প্ৰতিমা সাজিবৰ অৰ্থে তাক মোৰ হাতৰ
পৰা মোৰ পুত্ৰই পাওক; এতেকে এতিয়া তাক তোমাক ওভোটাই
দিছোঁ।" ৪ কিন্তু মীখাই মাকক সেই ৰূপ ওলোটাই দিলে, তাৰ মাকে
তাৰে দুশ চেকল ৰূপ লৈ সোণাৰীক দিলে; তেতিয়া সোণাৰীয়ে এটা
কটা মুৰ্ত্তি আৰু এটা সাঁচত ঢলা প্ৰতিমা সাজিলে, সেই মুৰ্ত্তি মীখাৰ
ঘৰত ৰাখিলে। ৫ মীখা বুলি কোৱা সেই মানুহজনৰ এটা দেৱালয়
আছিল; সি এখন এফোদ আৰু কেইবাটাও গৃহ-দেৱতা সাজিলে আৰু
নিজ পুতেকহঁতৰ এজনক নিযুক্ত কৰাৰ পাছত, তেওঁ তাৰ পুৰোহিত
হ'ল। ৬ সেই সময়ত ইস্ৰায়েলৰ মাজত ৰজা নাছিল; সেয়ে যেয়ে

যিহকে উচিত দেখিছিল, তেওঁ তাকেই কৰিছিল। ৭ সেই সময়ত
যিহূদাৰ বৈৎলেহেমৰ যিহূদা ফৈদৰ এজন লেবীয়া ডেকা মানুহ গৈ
সেই ঠাইত প্ৰবাস কৰিছিল। ৮ সেই মানুহে য'তে পাই ত'তে থাকিবৰ
বাবে যিহূদাৰ বৈৎলেহেম নগৰৰ পৰা ওলাই গৈ গৈ ইফ্ৰয়িম পৰ্ব্বতীয়া
অঞ্চলত থকা সেই মীখাৰ ঘৰ পালেগৈ। ৯ তেতিয়া মীখাই তাক
সুধিলে, "তুমি ক'ৰ পৰা আহিছা?" তেতিয়া তেওঁ ক'লে, "মই যিহূদাৰ
বৈৎলেহেমৰ এজন লেবীয়া মানুহ; য'তে সুবিধা পাও, তাতে থাকিবৰ
বাবে ওলাই আহিছোঁ।" ১০ তেতিয়া মীখাই তেওঁক ক'লে, "তুমি
মোৰ লগত থাকি মোৰ পিতৃ আৰু পুৰোহিত হোৱা; মই বছেৰেকত
তোমাক দহ চেকল ৰূপ, এযোৰ কাপোৰ আৰু তোমাৰ খোৱা বস্তু
দিম।" তেতিয়া সেই লেবীয়া মানুহজন তেওঁৰ ঘৰলৈ গ'ল আৰু তেওঁৰ
লগত থাকিবলৈ সন্মত হ'ল; ১১ তেতিয়াৰে পৰা সেই ডেকাজন তেওঁৰ
পুতেকৰ দৰে হ'ল। ১২ পাছত মীখাই সেই লেবীয়াক নিযুক্ত কৰিলে
আৰু সেই ডেকা মীখাৰ পুৰোহিত হৈ তেওঁৰ ঘৰতে থাকিল। ১৩
তাতে মীখাই ক'লে, "যিহোৱাই মোৰ মঙ্গল কৰিব, ইয়াক মই এতিয়া
জানিলোঁ; কিয়নো সেই লেবীয়া মোৰ পুৰোহিত হ'ল।"

**১৮** সেই সময়ত ইস্ৰায়েলৰ মাজত ৰজা নাছিল আৰু দান ফৈদে
নিজে বাস কৰিবৰ অৰ্থে কোনো স্থায়ী ঠাই পোৱা নাছিল; কিয়নো
তেওঁলোকৰ নিজৰ মাটি-বাৰী নাছিল। ইস্ৰায়েলৰ পৰিয়ালৰ আন
লোকসকলে ইতিমধ্যে মাটি-বাৰী পাইছিল। কিন্তু দানৰ গোষ্ঠীৰ
লোকসকলে মাটি-বাৰী পোৱা নাছিল। ২ তেতিয়া দানৰ সন্তান সকলে
নিজৰ বংশৰ মাজৰ পৰা পাঁচজন বীৰক দেশ চাই বুজ-বিচাৰ লবলৈ,
চৰা আৰু ইষ্টায়োলৰ পৰা পঠিয়াই দিলে; আৰু তেওঁলোকক ক'লে,
"তোমালোকে গৈ দেশৰ বুজ-বিচাৰ লোৱা।" তাতে তেওঁলোকে গৈ
ইফ্ৰয়িম পৰ্ব্বতীয়া অঞ্চলৰ সেই মীখাৰ ঘৰৰ ওচৰ পাই তাতে ৰাতি
থাকিল। ৩ তেওঁলোকে মীখাৰ ঘৰৰ ওচৰত থাকোঁতে, সেই লেবীয়া
ডেকাৰ উচ্ছাৰণত তেওঁক চিনি পালে আৰু তেওঁৰ ওচৰলৈ গৈ সুধিলে,
"এই ঠাইলৈ তোমাক কোনে আনিলে? আৰু ইয়াত তোমাৰ কি কাম?"
৪ তাতে তেওঁ তেওঁলোকক ক'লে, "মীখাই মোলৈ এই দৰে ব্যৱহাৰ

কৰিলে; তেওঁ মোক বেতন দিবলৈ স্বীকাৰ কৰাত মই তেওঁৰ পুৰোহিত হ'লো।" ৫ তেতিয়া তেওঁলোকে তেওঁক ক'লে, "আমি তোমাক অনুৰোধ কৰোঁ, যাবলগীয়া পথত আমাৰ মঙ্গল হ'ব নে নহ'ব, সেই বিষয়ে আমি জানিবৰ কাৰণে, তুমি ঈশ্বৰক সোধা।" ৬ তাতে সেই পুৰোহিতে তেওঁলোকক ক'লে, "কুশলে যোৱা, তোমালোকে যাবলগীয়া পথ যিহোৱাৰ সাক্ষাতত আছে।" ৭ তাৰ পাছত সেই পাঁচজন লোকে প্ৰস্থান কৰি লয়িচ পাই দেখিলে যে, তাত থকা লোকসকল চীজোনীয়া লোকসকলৰ নিচিনাকৈ শান্তভাৱে আৰু নিশ্চিন্ত হৈ নিৰ্ভয়ে বাস কৰি আছে; কিয়নো সেই দেশত তেওঁলোকক কোনো কথাত হানি কৰিব পৰা ক্ষমতা থকা কোনো মানুহ নাছিল আৰু চীদোনীয়াহঁতৰ পৰা সিহঁত দূৰত আছিল আৰু আন কাৰো লগত সিহঁতে সম্পৰ্ক নাৰাখিছিল। ৮ পাছত তেওঁলোকে চৰা আৰু ইষ্টায়োললৈ নিজ ভাইসকলৰ গুৰিলৈ উলটি গ'ল, তাতে তেওঁলোকৰ পৰিয়ালৰ লোকসকলে তেওঁলোকক সুধিলে "তোমালোকে কি সম্বাদ আনিছা?" ৯ তেতিয়া তেওঁলোকে ক'লে, "ব'লা, আমি সেই লোকসকলৰ বিৰুদ্ধে যুদ্ধ কৰোঁ! আমি সেই দেশ দেখিলোঁ; অতি উত্তম দেশ, তোমালোকে কেলেই একো নকৰাকৈ আছা? সেই দেশলৈ যাবৰ বাবে আৰু সেই দেশ অধিকাৰ কৰিবলৈ পলম নকৰিবা। ১০ যেতিয়া তোমালোকে সেই দেশলৈ যাবা, তেতিয়া তাৰ লোকসকলক নিশ্চিন্তে থকা দেখা পাবা; আৰু সেই দেশ বহল; কিয়নো ঈশ্বৰে তোমালোকৰ হাতত সেই দেশ সমৰ্পণ কৰিলে আৰু সেই ঠাইত পৃথিৱীত থকা কোনো বস্তুৰ অভাৱ নাই।" ১১ তেতিয়া চৰা আৰু ইষ্টায়োল চহৰৰ পৰা দান বংশৰ ছশলোকে যুদ্ধৰ অস্ত্ৰেৰে ভালকৈ সাজু হৈ যুদ্ধ কৰিবলৈ যাত্ৰা কৰিলে। ১২ তেওঁলোকে উঠি গৈ যিহূদাৰ কিৰিয়ৎ-যিয়াৰীমত ছাউনি পাতিলে; এই কাৰণে আজিলৈকে সেই ঠাইক মহনে-দান বোলে। সেয়ে কিৰিয়ৎ-যিয়াৰীমৰ পাছত আছে। ১৩ পাছত তেওঁলোকে তাৰ পৰা ইফ্ৰয়িম পাহাৰীয়া অঞ্চললৈ যাত্ৰা কৰি গৈ মীখাৰ ঘৰ পালেগৈ। ১৪ তেতিয়া লয়িচ দেশৰ বুজ-বিচাৰ ল'বলৈ যোৱা সেই পাঁচ জনে লোকে ভাইসকলক ক'লে, "তোমালোকে জানানে, এই ঘৰবোৰত এখন এফোদ, কেইটামান গৃহ-দেৱতা, এটা

কটা মুৰ্ত্তি আৰু সাঁচত ঢলা এটা প্ৰতিমা আছে। এই হেতুকে এতিয়া তোমালোকে কি কৰা উচিত, সেই বিষয়ে বিবেচনা কৰা।” ১৫ তাৰ পাছত তেওঁলোকে বাট এৰি গৈ মীখাৰ সেই লেবী বংশৰ ডেকাজনক ঘৰত পাই তেওঁক মঙ্গলবাদ জনালে। ১৬ আৰু দানৰ সন্তানবোৰৰ মাজৰ যুদ্ধৰ অস্ত্ৰেৰে সাজু হৈ থকা সেই ছশ পুৰুষ জপনা-মুখত থিয় হৈ ৰ’ল। ১৭ তেতিয়া দেশৰ বুজ-বিচাৰ ল’বলৈ আগেয়ে যোৱা সেই পাঁচজনে গৈ তাত সোমাই কটা-মুৰ্ত্তিটো, এফোদ খন, গৃহ-দেৱতা কেইটা আৰু সাঁচত ঢলা প্ৰতিমাটো ল’লে; সেই সময়ত যুদ্ধৰ অস্ত্ৰেৰে সাজু হৈ থকা সেই ছশ পুৰুষৰ লগত সেই পুৰোহিতজনো পধূলি মুখত থিয় হৈ আছিল। ১৮ যেতিয়া তেওঁলোকে মীখাৰ ঘৰত সোমাই কটা মুৰ্ত্তিটো, এফোদখন, গৃহ-দেৱতা কেইটা আৰু সাঁচত ঢলা প্ৰতিমাটো ল’লে, তেতিয়া সেই পুৰোহিতে তেওঁলোকক ক’লে, “তোমালোকে কি কৰিছা?” ১৯ তেতিয়া তেওঁলোকে তেওঁক ক’লে, “মনে মনে থাকা! মুখত হাত দি আমাৰ লগত ব’লা, আমাৰ পিতৃ আৰু পুৰোহিত হোৱা। এজন মানুহৰ এটা পৰিয়ালৰ পুৰোহিত হোৱা তোমাৰ ভাল নে, নাইবা ইস্ৰায়েলৰ এক ফৈদ আৰু এক ফৈদৰ পুৰোহিত হোৱা ভাল?” ২০ তেতিয়া পুৰোহিতৰ মন আনন্দত পৰিপূৰ্ণ হৈ উঠিল আৰু তেওঁ এফোদ এখন, গৃহ-দেৱতাকেইটা আৰু কটা মুৰ্ত্তিটো লৈ সেই লোকসকলৰ মাজলৈ গ’ল। ২১ তাৰ পাছত তেওঁলোকে মুখ ঘূৰাই তাৰ পৰা প্ৰস্থান কৰিলে আৰু ল’ৰা-ছোৱালী, পশু আৰু বহুমূল্য বস্তুবোৰ নিজৰ লগত ল’লে। ২২ যেতিয়া তেওঁলোকে মীখাৰ ঘৰৰ পৰা কিছু আঁতৰ হৈ গ’ল, মীখাৰ ঘৰৰ ওচৰত থকা লোকসকলে গোট খাই দানৰ সন্তান সকলৰ পাছে পাছে গৈ ওচৰ চাপি একলগ হ’ল আৰু দানৰ সন্তান সকলক মাতিবলৈ ধৰিলে। ২৩ তাতে তেওঁলোকে মুখ ঘূৰাই মীখাক ক’লে, “তোৰ কি হ’ল? তই কিয় অনেক লোকক লগত লৈ আহিছ? ২৪ তেওঁ উত্তৰ দিলে, “মই সজা মুৰ্ত্তিবোৰ আৰু পুৰোহিতকো তোমালোকে লৈ গৈছা; এতিয়া মোৰ লগত কি আছে? এনে স্থলত মোৰ ‘কি হ’ল বুলি মোক কিয় সুধিছা’?” ২৫ তেতিয়া দানৰ সন্তান সকলে তাক ক’লে, “আমাৰ মাজত তোৰ মাত শুনা নাযাওক; নহ’লে খঙাল মানুহবোৰে

তহঁতক আক্ৰমণ কৰিলে পৰিয়াল সহ তোৰ প্ৰাণ নষ্ট হ'ব।" ২৬
পাছত দানৰ পৰিয়ালৰ সন্তান সকলে নিজৰ বাটেদি গুচি গ'ল আৰু
মীখায়ো তেওঁলোকক নিজতকৈ অধিক বলৱান দেখি মুখ ঘূৰাই
নিজৰ ঘৰলৈ উভতি আহিল। ২৭ এইদৰে তেওঁলোকে মীখাই সজা
বস্তুবোৰ, আৰু তাৰ নিজৰ পুৰোহিতকো লগত লৈ লয়িচলৈ আহিল;
তাতে শান্তভাৱে আৰু নিশ্চিন্তে থকা সেই লোকসকলৰ ওচৰলৈ গৈ
সিহঁতক তৰোৱালৰ ধাৰেৰে প্ৰহাৰ কৰিলে আৰু নগৰখন জুই দি
পুৰিলে। ২৮ সিহঁতক উদ্ধাৰ কৰোঁতা কোনো নাছিল; কিয়নো সেই
নগৰ চীদোনৰ পৰা দূৰত আছিল, আৰু কাৰো লগত সিহঁতে সম্পৰ্ক
নাৰাখিছিল আৰু সেই নগৰ বৈৎ-ৰহোবলৈকে বিস্তৃত হোৱা সমথলত
আছিল। পাছত তেওঁলোকে সেই নগৰ আকৌ সাজি তাৰ মাজত
বাস কৰিলে। ২৯ আৰু তেওঁলোকৰ পূৰ্বপুৰুষ ইস্রায়েলৰ পুত্ৰ যি দান,
তেওঁৰ নামেৰে সেই নগৰৰ নাম লয়িচ আছিল। ৩০ পাছত দানৰ
সন্তান সকলে নিজৰ বাবে সেই কটা মুৰ্ত্তি স্থাপন কৰিলে; তাতে দেশৰ
লোকসকলক দেশান্তৰলৈ নিয়ালৈকে মোচিৰ নাতিয়েক গেৰ্চোমৰ পুত্ৰ
যোনাথন আৰু তাৰ সন্তান সকল দান ফৈদৰ পুৰোহিত হ'ল। ৩১
যেতিয়ালৈকে চীলোত ঈশ্বৰৰ গৃহ আছিল, তেতিয়ালৈকে তেওঁলোকে
আপোনালোকৰ কাৰণে, মীখাই নিৰ্ম্মাণ কৰা সেই কটা-মুৰ্ত্তি স্থাপন
কৰি ৰাখিলে।

**১৯** যি সময়ত ইস্রায়েলৰ মাজত ৰজা নাছিল, সেই সময়ত ইফ্ৰয়িম
পৰ্ব্বতীয়া অঞ্চলৰ শেষ ভাগত এজন লেবীয়া লোকে প্ৰবাস কৰিছিল;
তেওঁ যিহূদাৰ বৈৎলেহেমত এজনী উপপত্নী ৰাখিছিল; ২ পাছত
তেওঁৰ সেই উপপত্নীয়ে তেওঁৰ বিৰুদ্ধে বিশ্বাসঘাতকতা কৰিলে আৰু
তেওঁক এৰি যিহূদাৰ বৈৎলেহেমত থকা নিজৰ বাপেকৰ ঘৰলৈ গৈ
তাতে চাৰি মাহমান থাকিল। ৩ পাছত তাইৰ গিৰিয়েকে উঠি আহি
তাইক বুজাই পুনৰ নিজৰ ঘৰলৈ আনিবৰ বাবে তাইৰ ওচৰলৈ গ'ল;
তেওঁৰ লগত এজন দাস আৰু এটা গাধ আছিল। তেওঁৰ উপপত্নীয়ে
তেওঁক বাপেকৰ ঘৰৰ ভিতৰলৈ নিলে আৰু সেই যুৱতীৰ বাপেকে
সেই মানুহক দেখি আনন্দেৰে তেওঁৰ লগত সাক্ষাৎ কৰিলে। ৪ সেই

যুৱতীৰ বাপেকে অৰ্থাৎ তেওঁৰ শহুৰেকে তেওঁক তিন দিন ধৰি লগত
থাকিবলৈ অনুৰোধ কৰিলে; তেতিয়া তেওঁ তেওঁলোকৰে সৈতে তাত
খোৱা-বোৱা কৰি থাকিল। ৫ পাছত চতুৰ্থদিনা তেওঁলোক ৰাতিপুৱাই
উঠিল আৰু যাবলৈ ওলাল; তেতিয়া সেই যুৱতীৰ বাপেকে জোঁৱায়েকক
ক'লে, "তুমি অলপ আহাৰ গ্ৰহণ কৰি মন সুস্থিৰ কৰা, তাৰ পাছত
তোমাৰ বাটত তুমি গুচি যাবা।" ৬ তেতিয়া তেওঁলোক দুয়োজনে
একে-লগে বহি ভোজন পান কৰিলে আৰু সেই যুৱতীৰ বাপেকে ক'লে
মিনতি কৰোঁ, "অনুগ্ৰহ কৰি তুমি এই ৰাতিও থাকি মন প্ৰফুল্লিত
কৰা।" ৭ তথাপি সেই মানুহ যাবলৈ উঠিল, কিন্তু শহুৰেকে তেওঁক
থাকিবলৈ বৰকৈ ধৰাত, সেই ৰাতিও থাকিল। ৮ পাছত পঞ্চম দিনা
যাবৰ কাৰণে ৰাতিপুৱাতে উঠাৰ পাছত, শহুৰেকে তেওঁক ক'লে,
"খোৱা-বোৱা কৰি আবেলিলৈকে থাকি নিজক সুস্থিৰ কৰা।" সেয়ে,
তেওঁলোক দুয়োজন বহি ভোজন কৰিলে। ৯ পাছত যেতিয়া লেবীয়া
জনে নিজৰ উপপত্নী আৰু দাসক লৈ গুছি যাবৰ কাৰণে প্ৰস্তুত হওঁতে,
শহুৰেকে তেওঁক ক'লে "চোৱা দিন প্ৰায় শেষ হ'ল; বিনয় কৰোঁ,
তুমি আজি ৰাতিও ইয়াতে থাকা। চোৱা, বেলি প্ৰায় লহিয়াইছে; তুমি
এই ঠাইতে ৰাতি থাকি প্ৰফুল্লিত হোৱা আৰু কাইলৈ তোমালোকে
নিজ ঘৰলৈ যাবৰ কাৰণে সোনকালে উঠি নিজ বাটে গুচি যাবা।" ১০
কিন্তু সেই মানুহে সেই ৰাতি থাকিবলৈ সন্মত নহ'ল আৰু উঠি যাত্ৰা
কৰি যিবুচ অৰ্থাৎ যিৰূচালেমৰ ওচৰ আহি পালে; তাৰ লগত দুটা
সজোৱা গাধ আৰু তাৰ উপপত্নী আছিল। ১১ তেওঁলোক যিবুচৰ ওচৰ
আহি পোৱাত দিন প্ৰায় শেষ হ'ল; তেতিয়া দাসে তেওঁৰ গৰাকীক
ক'লে, "নিবেদন কৰোঁ, আহক আমি যিবুচীয়াহঁতৰ এই নগৰত সোমাই
ৰাতিটো ইয়াতে থাকোঁহক।" ১২ কিন্তু তাৰ গৰাকীয়ে তাক ক'লে,
"যি নগৰ ইস্ৰায়েলৰ সন্তান সকলৰ নহয়, এনে ভীন্ন দেশীয় লোকৰ
নগৰত আমি নোসোমাও; আমি আগবাঢ়ি গিবিয়ালৈ যাওঁহক।" ১৩
তেওঁ দাসক ক'লে, "আহা আমি এই অঞ্চলৰ কোনো ঠাইৰ ওচৰলৈ
গৈ গিবিয়া বা ৰামাত ৰাতিটো পাৰ কৰিম।" ১৪ এইদৰে তেওঁলোক
আগবাঢ়ি গ'ল আৰু বিন্যামীনৰ অধিকাৰত থকা গিবিয়াৰ ওচৰ পোৱাত

বেলি মাৰ গ'ল। ১৫ তেতিয়া তেওঁলোকে বাট এৰি ৰাতি থাকিবৰ
কাৰণে গিবিয়ালৈ সোমাই গ'ল; আৰু তেওঁ সোমাই গৈ সেই নগৰৰ
চ'কত বহিল; কিয়নো কোনেও নিজৰ ঘৰত ৰাতি থাকিবৰ কাৰণে
তেওঁলোকক ঠাই নিদিলে। ১৬ সেই সময়ত এজন প্ৰাপ্তবয়স্ক মানুহে
পথাৰত কাম কৰি সন্ধিয়া পৰত ঘৰলৈ উভতি আহি আছিল, সেইজন
লোক ইফ্ৰয়িমৰ পৰ্ব্বতীয়া অঞ্চলৰ আছিল আৰু তেওঁ গিবিয়াত প্ৰবাস
কৰিছিল; কিন্তু নগৰৰ লোকসকল হ'লে বিন্যামীনীয়া লোক আছিল।
১৭ সেই প্ৰাপ্ত বয়স্ক লোকজনে মুৰ দাঙি চাই নগৰৰ চ'কত সেই
পথিকক দেখি সুধিলে, "তুমি ক'লৈ যোৱা? আৰু ক'ৰ পৰা আহিছা?"
১৮ তেওঁ লোকজনক ক'লে, "আমি যিহূদাৰ বৈৎলেহেমৰ পৰা আহিছোঁ,
ইফ্ৰয়িম পৰ্ব্বতীয়া অঞ্চলৰ সিফাললৈ যাওঁ; মই সেই ঠাইৰ মানুহ।
যিহূদাৰ বৈৎলেহেমলৈ গৈছিলোঁ, এতিয়া মই যিহোৱাৰ গৃহলৈ যাওঁ
কিন্তু কোনেও মোক ঘৰত ঠাই দিয়া নাই। ১৯ আমাৰ গাধবোৰৰ
কাৰণে ধান-খেৰ আৰু দানা আছে; লগতে মোৰ কাৰণে আৰু এই
বেটীৰ বাবে আৰু আপোনাৰ দাস-দাসীৰ সৈতে অহা এই ডেকাৰ
বাবেও পিঠা দ্ৰাক্ষাৰস আছে, আমাৰ কোনো বস্তুৰ অভাৱ নাই।" ২০
তেতিয়া সেই প্ৰাপ্ত বয়স্ক লোকজনে ক'লে, "তোমাৰ শান্তি হওঁক;
তোমাৰ প্ৰয়োজনীয় সকলোৰে দ্বায়ীত্ব মই ল'লো। তোমালোকে মোৰ
লগত ব'লা; তুমি কোনো কাৰণতেই এই চ'কত ৰাতিটো থাকিব
নালাগে।" ২১ পাছত সেই প্ৰাপ্তবয়স্ক লোকজনে তেওঁক নিজৰ ঘৰলৈ নি
গাধবোৰক ঘাঁহ দিলে আৰু তেওঁলোকে ভৰি ধুই ভোজন-পান কৰিলে।
২২ এইদৰে তেওঁলোকৰ লগত আনন্দ কৰাৰ সময়ত, সেই নগৰৰ
কিছুমান পাষণ্ড লোক আহি তেওঁৰ ঘৰৰ চাৰিওফালে বেৰি ধৰিলে আৰু
দুৱাৰত ঢকিয়াই সেই ঘৰৰ গৰাকী প্ৰাপ্তবয়স্ক গৰাকীজনক ক'লে,
"আপোনাৰ ঘৰলৈ যিজন পুৰুষ আহিছে, তেওঁক বাহিৰলৈ উলিয়াই
দিয়ক, আমি তেওঁৰ পৰিচয় ল'ম।" ২৩ তেতিয়া ঘৰৰ গৰাকীয়ে
বাহিৰলৈ ওলাই আহিল আৰু সিহঁতৰ ওচৰলৈ গৈ ক'লে, "হে মোৰ
ভাইসকল, মই বিনয় কৰিছোঁ, তোমালোকে দুষ্কৰ্ম নকৰিবা! সেই পুৰুষ
মোৰ ঘৰত অতিথিহৈ আহিছে, এই হেতুকে তেওঁলৈ এনে মুৰ্খতাৰ

কৰ্ম নকৰিবা। ২৪ চোৱা, ইয়াত মোৰ এজনী কুমাৰী জী আৰু তেওঁৰ
উপপত্নী আছে; মই সিহঁতক বাহিৰ কৰি আনো, তোমালোকে সিহঁতৰে
মন ভ্ৰষ্ট কৰা; সিহঁতলৈ তোমালোকৰ যি ইচ্ছা তাকে কৰা; কিন্তু সেই
পুৰুষলৈ তোমালোকে মুৰ্খতাৰ কৰ্ম নকৰিবা।" ২৫ তথাপি সিহঁতে
প্ৰাপ্ত বয়স্ক জনৰ কথা শুনিবলৈ অসন্মত হ'ল; তেতিয়া সেই পুৰুষে
তাৰ উপপত্নীক ধৰি সিহঁতৰ আগলৈ উলিয়াই দিলে; তাতে সিহঁতে
তাইৰ পৰিচয় ল'লে আৰু গোটেই ৰাতি তাইক ধৰ্ষণ কৰিলে; পাছত
ৰাতিপুৱা সিহঁতে তাইক এৰি গুচি গ'ল। ২৬ পাছত তিৰোতাজনীয়ে
নিজৰ গিৰীয়েকে আলহী হৈ থকা প্ৰাপ্ত বয়স্ক লোকজনৰ ঘৰৰ দুৱাৰৰ
ওচৰলৈ আহি পোহৰ নোহোৱালৈকে দুৱাৰমুখত পৰি থাকিল। ২৭
পাছত ৰাতিপুৱা সেই তিৰোতাৰ গৰাকীয়ে যেতিয়া নিজ পথত যাবৰ
বাবে ঘৰৰ দুৱাৰ-ডলি বাহিৰ হৈ আহিল, তেতিয়া তেওঁ দেখিলে যে,
তেওঁৰ উপপত্নী হাত পেলাই পৰি আছে। ২৮ তেওঁ তাইক ক'লে, "উঠি,
আমি যাওঁ;" কিন্তু তাই একো উত্তৰ নিদিলে; পাছত সেই পুৰুষে গাধৰ
ওপৰত তাইক তুলি লৈ যাত্ৰা কৰি নিজ ঠাইলৈ গ'ল। ২৯ যেতিয়া তেওঁ
নিজৰ ঘৰ পালে, তেওঁ এখন কটাৰী লৈ সেই উপপত্নীক ধৰি হাড়েৰে
সৈতে বাৰডোখৰ কৰি কাটি, ইস্ৰায়েলৰ আটাই অঞ্চললৈ পঠিয়াই
দিলে। ৩০ যি কোনোৱে ইয়াক দেখিলে, সেই লোকসকলে নিজৰ
মাজতে ক'লে, "ইস্ৰায়েলৰ সন্তান সকলে মিচৰ দেশৰ পৰা ওলাই অহা
দিনৰে পৰা আজিলৈকে এনেকুৱা কেতিয়াও হোৱা নাই, আৰু দেখা
নাই; এই বিষয়ে ভালকৈ বিবেচনা কৰি, কি কৰা উচিত তাকে কোৱা!"

**২০** পাছত ইস্ৰায়েলৰ সন্তানসকল একত্ৰিত হ'ল আৰু তেওঁলোকৰ
দানৰ পৰা বেৰ-চেবা পৰ্যন্ত, আনকি গিলিয়দ চহৰৰ পৰাও আহিছিল।
তেওঁলোকে মিস্পাত যিহোৱাৰ সন্মুখত গোট খালে। ২ লোকসকলৰ
নেতা অৰ্থাৎ ইস্ৰায়েলৰ আটাই ফৈদবোৰৰ মুখ্যসকল ঈশ্বৰৰ
প্ৰজাসকলৰ সেই সমাজত উপস্থিত হ'ল; তাত চাৰি লাখ তৰোৱাল
ধৰা পদাতিক লোক আছিল। তেওঁলোক যুদ্ধ কৰিবলৈ সাজু হৈ
আছিল। ৩ ইস্ৰায়েলৰ সন্তানসকল মিস্পাত একত্ৰিত হোৱা কথা
শুনি সকলোৱে তাত একত্ৰিত হ'ল। পাছত ইস্ৰায়েলৰ সন্তানসকলে

সুধিলে, “কোৱাচোন এই দুষ্কৰ্ম কেনেকৈ হ’ল?” ৪ সেই হত হোৱা মহিলাজনীৰ গিৰীয়েক লেবীয়া পুৰুষ জনে উত্তৰ দি ক’লে, “মই আৰু মোৰ উপপত্নী ৰাতি থাকিবৰ কাৰণে বিন্যামীনৰ অধিকাৰত থকা গিবিয়াত সোমাইছিলোঁ। ৫ তাতেই গিবিয়াৰ পৰিয়ালবোৰে মোৰ বিৰুদ্ধে আহি ৰাতি মোক ঘৰৰ চাৰিওফালে বেৰি ধৰিলে; সিহঁতে মোক বধ কৰিবলৈ চেষ্টা কৰিছিল আৰু সিহঁতে মোৰ উপপত্নীক বলাৎকাৰ কৰাত তাই মৰিল। ৬ পাছত মই মোৰ উপপত্নীক ধৰি ডোখৰ ডোখৰ কৰি ইস্রায়েলৰ অধিকাৰত থকা দেশৰ সকলো ফালে পঠিয়ালোঁ; কিয়নো সিহঁতে ইস্রায়েলৰ মাজত কু-কৰ্ম আৰু অজ্ঞানতাৰ কাৰ্য কৰিলে। ৭ এতেকে হে ইস্রায়েলৰ সন্তানসকল, এতিয়া তোমালোক সকলোৱেই নিজৰ নিজৰ মতামত কি কোৱা।” ৮ তাতে সকলো মানুহে একগোটহৈ ক’লে, “আমি কোনেও নিজ নিজ তম্বুলৈ নাযাওঁ, নিজ নিজ ঘৰলৈ উলটি নাযাওঁ; ৯ কিন্তু এতিয়া আমি গিবিয়া চহৰৰ প্ৰতি কি কৰিম, তাকেই ভাবিছো, চিঠি খেলৰ দ্বাৰাই বুজি পাম যে ঈশ্বৰে তাৰ বিৰুদ্ধে কি কৰিব। ১০ আমি বিন্যামীনৰ গিবিয়ালৈ গৈ ইস্রায়েলৰ মাজত কৰা আটাই অজ্ঞানতাৰ কাৰ্য অনুসাৰে যেন সিহঁতক প্ৰতিফল দিব পাৰোঁ, ইয়াৰ অৰ্থে তেওঁলোকে খোৱা বস্তু আনিবলৈ ইস্রায়েলৰ ফৈদসকলৰ মাজৰ পৰা এশ লোকলৈ দহজনক আৰু হাজাৰ লোকলৈ এশ জনক আৰু দহ হাজাৰ লোকলৈ এক হাজাৰলোকক আমি লওঁ।” ১১ এইদৰে ইস্রায়েলৰ সৈন্যসকলে একগোট হ’ল আৰু সেই নগৰখনৰ বিপক্ষে এক উদ্দেশ্যেৰেই গোট খালে। ১২ ইস্রায়েলৰ সকলো ফৈদে বিন্যামীন ফৈদৰ সকলো ফালে মানুহ পঠিয়াই এই কথা ক’লে, “তোমালোকৰ মাজত এয়া কি দুষ্কৰ্ম হৈ আছে। ১৩ এই কাৰণে তোমালোকে এই গিবিয়ানিবাসী পাষণ্ডবোৰক শোধাই দিয়া; আমি সিহঁতক বধ কৰি ইস্রায়েলৰ পৰা দুষ্টতা দূৰ কৰোঁ।” কিন্তু বিন্যামীনৰ সন্তানসকলে নিজ ভাই ইস্রায়েলৰ সন্তানসকলৰ কথা শুনিব নুখুজিলে, ১৪ বৰং ইস্রায়েলৰ সন্তানসকলৰ লগত যুদ্ধৰ অৰ্থে ওলাই বিন্যামীনৰ সন্তানসকলে নগৰৰ পৰা আহি গিবিয়াত গোট খালে। ১৫ বিন্যামীন বংশৰ লোকসকলে মুঠ ছাব্বিশ হাজাৰ জন সৈন্য পালে। তেওঁলোক

যুদ্ধ কৰাৰ বাবে বেচ দক্ষতা থকা সৈন্যিক আছিল আৰু ইয়াৰ বাহিৰেও
গিবিয়ানিবাসীৰ পৰা সাতশ নিপুণ সৈন্য পালে। ১৬ ইয়াৰ উপৰিও
তেওঁলোকে সাতশ প্ৰশিক্ষণপ্ৰাপ্ত সৈন্য পাইছিল। এইলোক সকল
বাওঁহতীয়া আছিল; তেওঁলোকৰ প্ৰতিজনে এডাল চুলি লৈ ফিঙ্গাৰ শিল
মাৰিছিল আৰু তেওঁলোকৰ লক্ষ্যভ্ৰষ্ট হোৱা নাছিল। ১৭ বিন্যামীনৰ
বাহিৰে ইস্ৰায়েলৰ তৰোৱাল ধৰা লোক লেখত চাৰি লাখ হ'ল, সেই
সকলো লোক যুদ্ধাৰু আছিল। তেওঁলোক প্ৰশিক্ষণ প্ৰাপ্ত আছিল। ১৮
পাছত ইস্ৰায়েলৰ সন্তানসকলে ওলাই বৈৎএললৈ গৈ ঈশ্বৰক সুধিলে,
"কোন বংশৰ লোক সকলোতকৈ আগেয়ে বিন্যামীনৰ সন্তানসকলৰ
সৈতে যুদ্ধ কৰিবলৈ ওলাই যাব?" তাতে যিহোৱাই ক'লে, "প্ৰথমে
যিহূদাৰ বংশৰ লোকসকলে আক্ৰমণ কৰিব।" ১৯ পাছদিনা পুৱাতে
ইস্ৰায়েলৰ সন্তানসকলে উঠি গিবিয়াৰ বিৰুদ্ধে ছাউনি পাতিলে। ২০
আৰু ইস্ৰায়েলৰ সৈন্যসকলে বিন্যামীনেৰে সৈতে যুদ্ধ কৰিবলৈ ওলাই
গৈ, গিবিয়াৰ ওচৰত সিহঁতৰ বিৰুদ্ধে সৈন্যৰ চাউনি পাতিলে; ২১
তাতে বিন্যামীনৰ সৈন্যসকলে গিবিয়াৰ পৰা ওলাই আহিল আৰু
সেইদিনা ইস্ৰায়েলৰ মাজৰ বাইশ হাজাৰলোকক সংহাৰ কৰিলে।
২২ পাছত ইস্ৰায়েলৰ সৈন্যসকল তেওঁলোকতকৈও বেছি শক্তিশালী
আছিল, তেওঁলোকে প্ৰথম দিনা যি ঠাইত সৈন্যৰ বেহু পাতিছিল
আকৌ সেই ঠাইতে বেহু পাতিলে। ২৩ ইস্ৰায়েলৰ সন্তানসকলে উঠি
গৈ সন্ধিয়ালৈকে যিহোৱাৰ ওচৰত ক্ৰন্দন কৰিলে আৰু যিহোৱাক
সুধিলে, "আমি নিজ ভাই বিন্যামীনৰ সন্তানসকলৰ লগত যুদ্ধ কৰিবলৈ
পূণৰ যাম নে?" তাতে যিহোৱাই কলে, "তেওঁলোকক আক্ৰমণ কৰা!"
২৪ এইবাৰ ইস্ৰায়েলৰ সৈন্যসকল বিন্যামীনৰ সৈন্যসকলৰ ওচৰ
আহি পালে। এইদিনটো আছিল যুদ্ধৰ দ্বিতীয় দিন। ২৫ বিন্যামীনৰ
সৈন্যসকলে গিবিয়াৰ পৰা ওলাই আহি দ্বিতীয় দিনা পুনৰাই ইস্ৰায়েলৰ
সৈন্যসকলক আক্ৰমণ কৰি ওঠৰ হাজাৰ লোকক হত্যা কৰিলে; এই
সকলো ইস্ৰায়েলী সৈন্যসকল প্ৰশিক্ষণ প্ৰাপ্ত আছিল। ২৬ তেতিয়া
ইস্ৰায়েলৰ সকলো সৈন্য আৰু আটাই লোকসকলে বৈৎএললৈ উঠি গ'ল
আৰু সেই ঠাইতে যিহোৱাৰ সাক্ষাতে ক্ৰন্দন কৰি বহি থাকিল। সেই

দিনা সন্ধিয়ালৈকে লঘোনে থাকিল আৰু যিহোৱাৰ সাক্ষাতে হোম আৰু
শান্তিৰ বলি উৎসৰ্গ কৰিলে। ২৭ ইস্ৰায়েলৰ সন্তানসকলে যিহোৱাক
সুধিলে, কিয়নো সেই সময়ত ইস্ৰায়েলৰ নিয়ম-চন্দুক সেই ঠাইত
আছিল, ২৮ আৰু সেই কালত হাৰোণৰ নাতিয়েক ইলিয়াজৰৰ পুত্ৰ
পীনহচে তাৰ আগত পৰিচৰ্যা কৰি আছিল। তাতে তেওঁলোকে ক'লে
"আমি নিজ ভাই বিন্যামীনৰ সন্তানসকলৰ লগত যুদ্ধ কৰিবলৈ আকৌ
যাম নে, বা ক্ষান্ত হম?" তাতে যিহোৱাই ক'লে, "আক্ৰমণ কৰা, কিয়নো
কাইলৈ মই তোমালোকৰ হাতত সিহঁতক শোধাই দিম।" ২৯ পাছত
ইস্ৰায়েলৰ সন্তানসকলে চাৰিওফালে গোপন ঠাইত গিবিয়াৰ বিৰুদ্ধে
মানুহ লুকুৱাই ৰাখিলে। ৩০ পাছত তৃতীয় দিনা ইস্ৰায়েলৰ সৈন্যসকলে
বিন্যামীনৰ সৈন্যসকলৰ বিৰুদ্ধে উঠি গৈ আগৰ দৰে গিবিয়াৰ বিৰুদ্ধে
সৈন্যৰ বেহু পাতিলে। ৩১ তেতিয়া বিন্যামীনৰ সন্তানসকলে গিবিয়াৰ
পৰা ওলাই আহি ইস্ৰায়েলীসকলৰ বিৰুদ্ধে যুজ কৰিবলৈ আহিল আৰু
তেওঁলোকক ওচৰৰ পৰা দূৰলৈ লৈ যোৱা হ'ল। আৰু তেওঁলোকে
আগৰ দৰে লোকসকলৰ মাজত প্ৰহাৰ কৰি বৈৎএললৈ যোৱা আৰু
পথাৰৰ মাজেদি গিবিয়ালৈ যোৱা এই দুই ৰাজ বাটত ইস্ৰায়েলৰ
মাজৰ ত্ৰিশজন মান লোকক বধ কৰিলে। ৩২ তেতিয়া বিন্যামীনৰ
সন্তানসকলে ক'লে, "তেওঁলোক পৰাজিতহৈ যিমান সোনকালে পাৰে
তাৰ পৰা পলাই গ'ল।" কিন্তু ইস্ৰায়েলৰ সৈন্যসকলে ক'লে, "আহাঁ
আমি দৌৰি গৈ তেওঁলোকক নগৰৰ পৰা ধৰি ৰাজবাটলৈ লৈ আহোঁ।"
৩৩ এই কাৰণে ইস্ৰায়েলৰ সৈন্যসকলে নিজ নিজ ঠাইৰ পৰা ওলাই গৈ
বালতামৰত সৈন্যৰ বেহু পাতিলে; আৰু ইয়াৰ ভিতৰতে ইস্ৰায়েলৰ
লুকাই থকা সৈন্যসকলে গোপণ ঠাইৰ পৰা দৌৰি ওলাই আহি মাৰেই
গিবিয়া আক্ৰমণ কৰিলে। ৩৪ তেওঁলোক গিবিয়ালৈ ওলাই আহিল আৰু
গোটেই ইস্ৰায়েলৰ মাজত মনোনীত হোৱা দহ হাজাৰ লোকৰ ঘোৰ যুদ্ধ
হ'ল; কিন্তু বিন্যামীনৰ লোকসকলে নাজানিলে যে, শেষত দুৰ্যোগ ঘটি
তেওঁলোকৰ কি হ'ব। ৩৫ যিদিনা যিহোৱাই ইস্ৰায়েলৰ সৈন্যসকলক
ব্যৱহাৰ কৰি বিন্যামীনৰ সৈন্যসকলক পৰাজিত কৰিলে, সেইদিনা
ইস্ৰায়েলৰ সন্তানসকলে বিন্যামীনৰ পঁচিশ হাজাৰ সৈন্যক বধ কৰিলে।

এই লোকসকল তৰোৱাল ধৰাত পাকৈত প্ৰশিক্ষণ প্ৰাপ্ত সৈনিক আছিল। ৩৬ এইবাৰ বিন্যামীনে দেখা পালে যে, তেওঁৰ সৈন্যসকল পৰাজিত হ'ল আৰু ইস্ৰায়েলৰ লোকসকলো বিন্যামীনৰ পৰা পিছুৱাই গৈছিল; তেওঁলোক পিছুৱাই যোৱাৰ কাৰণ আছিল, তেওঁলোকে হঠাৎ গিবিয়াৰ বিৰুদ্ধে আক্ৰমণ কৰাৰ কৌশল। এইদৰে গিবিয়াৰ ওচৰৰ এটুকুৰা ঠাইত তেওঁলোক লুকাই থাকিল। ৩৭ পাছত সেই লুকাই থকা লোকসকলে গিবিয়া নগৰত জপিয়াই পৰিল আৰু গিবিয়া আক্ৰমণ কৰি তৰোৱালৰ ধাৰেৰে প্ৰত্যেককে সংহাৰ কৰিলে। ৩৮ সেই লুকাই থকা সৈন্যসকলে ইস্ৰায়েলী লোকসকলৰ সৈতে এটা সংকেত বা চিন স্থিৰ কৰিছিল যে, যেতিয়া নগৰৰ পৰা মেঘ-স্তম্ভৰ দৰে বৰকৈ ধোঁৱা উৎপন্ন হ'ব, তেতিয়া সেই সংকেত চাই আটাইয়ে নগৰৰ বাহিৰলৈ ওলাই আহিব। ৩৯ এতেকে ইস্ৰায়েলৰ সৈন্যসকলে ঘূৰি যুদ্ধ কৰিবলৈ ধৰিলে, বিন্যামীনে তেওঁলোকৰ মাজত প্ৰহাৰ কৰি প্ৰায় ত্ৰিশজন মানুহক বধ কৰিলে; কিয়নো সিহঁতে কৈছিল, "প্ৰথম যুদ্ধৰ নিচিনাকৈ ইহঁত আমাৰ আগত নিশ্চয়কৈ পৰাজিত হ'ব।" ৪০ কিন্তু যেতিয়া নগৰৰ পৰা স্তম্ভৰ আকৃতিৰে ধোঁৱা উঠিবলৈ ধৰিলে, তেতিয়া বিন্যামীন ফৈদৰ লোকসকলে পাছলৈ চাই দেখিলে যে, গোটেই নগৰ ধোঁৱাময় হৈ আকাশলৈ উঠি গৈছে। ৪১ তেতিয়া ইস্ৰায়েলৰ সৈন্যসকলেও তেওঁলোকৰ ফালে মুখ ঘূৰালে, ইয়াকে দেখি বিন্যামীনৰ লোকসকল অতিশয় আতংকিত হ'ল, তেওঁলোকে দেখিলে যে তেওঁলোকলৈ দুৰ্যোগ নামি আহিছে। ৪২ সেয়ে তেওঁলোকে ইস্ৰায়েলৰ সৈন্যসকলৰ সন্মুখেৰে নগৈ অৰণ্যৰ বাটেদি যাবৰ বাবে পিঠি দি উভতি গ'ল; কিন্তু তেওঁলোকক যুদ্ধই পাছ নেৰিলে। তেওঁলোকক নগৰৰ পৰা ওলাই অহা ইস্ৰায়েলৰ সৈন্যসকলে বাটৰ মাজতে বধ কৰিলে। ৪৩ তেওঁলোকে বিন্যামীনীয়াহঁতক চাৰিওফালে বেৰি ধৰি নোহাৈলে খেদি নিলে, তেওঁলোকক জিৰণি লবলৈ নিদি গিবিয়াৰ পূব ফালে থকা সূৰ্য উদয়ৰ দিশত তেওঁলোকক বধ কৰিলে। ৪৪ তাতে বিন্যামীনীয়াহঁতৰ ওঠৰ হাজাৰ সাহসী ও শক্তিশালী সৈন্য নিহত হ'ল। ৪৫ পাছত অৱশিষ্ট লোকসকল অৰণ্যৰ ফালে ৰিম্মোনৰ শিললৈ পলাবলৈ ধৰাত, সিহঁতৰ

অৱশিষ্ট লোকৰ মাজত আন পাঁচ হাজাৰ লোকক তেওঁলোকে ৰাজ
আলিত বধ কৰিলে; আৰু সিহঁতৰ পাছে পাছে গিদোমলৈকে খেদি গৈ,
সিহঁতৰ পুনৰ দুই হাজাৰ লোকক বধ কৰিলে। ৪৬ এইদৰে সেইদিনা
বিন্যামীনীয়হঁতৰ মাজৰ সৰ্ব্বমুঠ তৰোৱালেৰে যুদ্ধ কৰা পঁচিশ হাজাৰ
সৈন্য নিহত হ'ল, তেওঁলোক সকলোৱেই যুদ্ধত বীৰ পুৰুষ আছিল।
৪৭ কিন্তু ছশ লোকে ঘূৰি অৰণ্যৰ ৰিম্মোন শিললৈ পলাই গ'ল আৰু
সেই ৰিম্মোন শিলত চাৰি মাহ থাকিল। ৪৮ ইস্ৰায়েলৰ সৈন্যসকল
বিন্যামীনৰ লোকসকলৰ ওচৰলৈ পুনৰায় ঘূৰি আহি নগৰত থকা
আটাই মানুহ আৰু পশু আদি যি যি পালে, সেই সকলোকে তৰোৱালৰ
ধাৰেৰে আঘাত কৰিলে; আৰু যিমান নগৰ পোৱা গ'ল, সেই সকলোকে
জুই দি পুৰি ভস্ম কৰিলে।

**২১** ইস্ৰায়েলৰ লোকসকলে মিস্পাত এই প্ৰতিজ্ঞা কৰিলে, "আমাৰ
কোনেও বিন্যামীনৰ বংশৰ কাৰো ঘৰলৈ নিজ জীয়েকক বিয়া দিব
নালাগে।" ২ পাছত ইস্ৰায়েলৰ লোকসকল বৈৎএল চহৰলৈ গ'ল,
তাতে ঈশ্বৰৰ সন্মুখত সন্ধ্যালৈকে সেই ঠাইত বহি থাকি বৰ মাতেৰে
ক্ৰন্দন কৰি ক'লে, ৩ "হে ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱা, আজি ইস্ৰায়েলৰ
মাজৰ এক ফৈদ লুপ্ত হ'ল; ইস্ৰায়েলৰ মাজত কিয় এনে ঘটিল?" ৪
পাছদিনা লোকসকলে পুৱাতে উঠি এটা যজ্ঞ-বেদি সাজি সেই বেদিত
তেওঁলোকে হোম-বলি আৰু মঙ্গলাৰ্থক নৈবেদ্য উৎসৰ্গ কৰিলে। ৫
তাৰ পাছত ইস্ৰায়েলৰ সন্তান সকলে ক'লে, "ইস্ৰায়েলীয় সকলৰ
মাজত এনে কোন জাতি আছে যি সকল প্ৰভুৰ কাষলৈ আমাৰ এই
প্ৰাৰ্থনালৈ অহা নাই?" কিয়নো মিস্পাত যিহোৱাৰ গুৰিলৈ যি জন
নাহিব, "তেওঁৰ প্ৰাণ দণ্ড অৱশ্যে হ'ব" এই বুলি তেওঁলোকে প্ৰতিজ্ঞা
কৰিছিল। ৬ ইস্ৰায়েলৰ সন্তান সকলে নিজ ভাই বিন্যামীনৰ অৰ্থে
বেজাৰ কৰি ক'লে, "ইস্ৰায়েলৰ মাজৰ পৰা আজি এক ফৈদ উচ্ছন্ন
হ'ল; ৭ এতিয়া তাৰ অৱশিষ্ট থকা লোকসকলৰ বিয়াৰ বিষয়ে কি
কৰা উচিত? কিয়নো আমাৰ নিজ নিজ জীহঁতক সিহঁতৰে সৈতে বিয়া
নিদিওঁ বুলি কৈ আমি যিহোৱাৰ নামেৰে শপত খালোঁ।" ৮ এই হেতুকে
তেওঁলোকে ক'লে, "ইস্ৰায়েলৰ ফৈদ সমূহৰ মাজৰ এনে কোন আছে,

যি ফৈদ মিস্পাত যিহোৱাৰ কাষত উপস্থিত হোৱা নাই?" তেতিয়া
তেওঁলোকে জানিব পাৰিলে যাবেচ গিলিয়দৰ পৰা কিছুমান মানুহ
সেই সমাবেশত উপস্থিত হোৱা নাই। ৯ কিয়নো লোকসকলৰ গণনা
কৰাৰ সময়ত তেওঁলোকে দেখিলে যে যাবেচ গিলিয়দ নিবাসীসকলৰ
এজনো সেই ঠাইলৈ অহা নাই। ১০ তেতিয়া তেওঁলোকে সাহসী
লোকসকলৰ মাজৰ পৰা বাৰ হাজাৰ সৈন্যক এই আজ্ঞা দি পঠালে
যে "তেওঁলোকে যাবেচ গিলিয়দলৈ গৈ সৰু সৰু ল'ৰা-ছোৱলী আৰু
মহিলাকে ধৰি সকলোকে আক্ৰমণ কৰি বধ কৰক।" ১১ "তোমালোকে
এইদৰে কৰা; প্ৰতিজন পুৰুষ আৰু পুৰুষেৰে সৈতে শয়ন কৰা
প্ৰতিগৰাকী মহিলাকে বধ কৰিবা।" ১২ সৈন্যসকলে যাবেচ-গিলিয়দ
নিবাসী লোকসকলৰ মাজত কেতিয়াও পুৰুষৰে সৈতে শয়ন নকৰা
চাৰিশ যুৱতীক অবিবাহিতা পালে। তেওঁলোকে সেই যুৱতীসকলক
কনান দেশত থকা চীলোৰ ছাউনিলৈ লৈ গ'ল। ১৩ তাৰ পাছত
ইস্ৰায়েলীয়াসকলে ৰিম্মোন শিলত থকা বিন্যামীনীয়া লোকসকললৈ
বাৰ্তা পঠাই শান্তিৰ চুক্তি কৰিবলৈ বিচাৰিলে। ১৪ এই বাৰ্তা শুনি
বিন্যামীনীয়াসকল ইস্ৰায়েললৈ উলটি আহিল। যাবেচ-গিলিয়দীয়া
মহিলাসকলৰ মাজৰ জীয়াই ৰখা যুৱতীসকলক তেওঁলোকৰে সৈতে
বিয়া কৰাই দিলে; তথাপি তেওঁলোকলৈ ছোৱালীৰ সংখ্যা নাটনি হ'ল।
১৫ ইস্ৰায়েলৰ লোকসকলে বিন্যামীন ফৈদৰ কাৰণে দুখ কৰিবলৈ
ধৰিলে, কাৰণ যিহোৱাই ইস্ৰায়েলৰ ফৈদ সমূহৰ মাজত এক বিভাজন
আনি দিছিল। ১৬ ইস্ৰায়েলৰ বৃদ্ধ নেতাসকলে ক'লে, "বিন্যামীনীয়া
স্ত্ৰীসকলক বধ কৰা হ'ল। এতিয়া অৱশিষ্ট বিন্যামীনীয়া যি সকল আছে,
তেওঁলোকৰ বিবাহৰ কাৰণে আমি ক'ৰ পৰা স্ত্ৰী পাম?" ১৭ তেওঁলোকে
ক'লে, "ইস্ৰায়েলীয়া সকলৰ মাজৰ পৰা যেন এটা ফৈদ লুপ্ত হৈ
নাযায়, সেয়ে জীয়াই থকা বিন্যামীনীয়াসকলৰ বংশ ৰক্ষা কৰিবলৈ
সন্তানৰ অৱশ্যেই প্ৰয়োজন আছে। ১৮ আমাৰ ছোৱালীবোৰকতো
তেওঁলোকৰ লগত বিয়া দিব নোৱাৰো, কিয়নো আমি শপত খাইছিলো
যে, কোনোৱে যদি বিন্যামীনীয়াক ছোৱালী দিয়ে, তেন্তে তেওঁ অভিশপ্ত
হ'ব।" ১৯ তেতিয়া তেওঁলোকে ক'লে, "তোমালোকে জানা যে,

প্ৰতি বছৰে চীলোত যিহোৱাৰ উদ্দেশ্যে এক উৎসৱ হয়; এই চীলো
চহৰখন বৈৎএলৰ উত্তৰ ফালে, যি পথ বৈৎএলৰ পৰা চিখিমৰ ফালে
উঠি গৈছে তাৰ পূৱফালে আৰু লেবোনাৰ দক্ষিণ ফালে আছে।”
২০ তেওঁলোকে বিন্যামীনীয়া লোকসকলক এই পৰামৰ্শ দিলে যে,
“তোমালোকে গৈ দ্ৰাক্ষাবাৰীবোৰত লুকাই অপেক্ষা কৰি থাকিবা। ২১
যেতিয়া চীলোৰ ছোৱালীবোৰে নাচত যোগ দিবলৈ ওলাই আহিব,
তেতিয়া তোমালোক দ্ৰাক্ষাবাৰীৰ পৰা দৌৰি বাহিৰ ওলাই তেওঁলোকৰ
মাজৰ পৰা যাকে ইচ্ছা তেওঁকে ধৰি লৈ বিন্যামীন এলেকালৈ গুচি
যাবা। ২২ তেওঁলোকৰ বাপেক বা ভায়েক-ককায়েকসকলে যেতিয়া
আমাৰ ওচৰত গোচৰ দিবলৈ আহিব, তেতিয়া আমি তেওঁলোকক
ক'ম, 'আপোনালোকে এই সকলো ছোৱালীকে দান কৰি তেওঁলোকৰ
প্ৰতি দয়া কৰক; কিয়নো যুদ্ধৰ সময়ত আমি তেওঁলোকৰ কাৰণে
যথেষ্ট যুৱতী নাপালোঁ। শপতৰ বিষয়ত আপোনালোকে একো দোষ
কৰা নাই; কাৰণ আপোনালোকেতো আপোনালোকৰ ছোৱালীবোৰক
নিজে তেওঁলোকলৈ বিয়া দিয়া নাই'।” ২৩ তাতে বিন্যামীনীয়াসকলে
তেনেকৈয়ে কৰিলে। ছোৱালীবোৰে যেতিয়া নাচি আছিল তেতিয়া
তেওঁলোক প্ৰত্যেকেই বিয়া কৰিবৰ কাৰণে এগৰাকিকৈ ছোৱালী
ধৰি লৈ গ'ল। তাৰ পাছত তেওঁলোকে তেওঁলোকৰ নিজৰ ঠাইলৈ
উলটি গৈ নগৰ সাজি তাতে বাস কৰিবলৈ ধৰিলে। ২৪ সেই সময়ত
ইস্ৰায়েলীয়াসকলে সেই ঠাই এৰি নিজ নিজ ফৈদ আৰু বংশৰ ঠাইলৈ
প্ৰস্থান কৰিলে। ২৫ এই সময়ত ইস্ৰায়েলৰ মাজত কোনো ৰজা নাছিল;
সেয়ে যিহকে ভাল দেখিছিল তেওঁলোকে তাকেই কৰিছিল।

# ৰূথ

**১** বিচাৰকৰ্ত্তা সকলে শাসন কৰা সময়ত, দেশত এবাৰ আকাল
হৈছিল৷ সেয়ে যিহূদাৰ বৈৎলেহেমৰ এজন ব্যক্তিয়ে তেওঁৰ ভাৰ্যা আৰু
তেওঁৰ পুতেক দুজনৰ সৈতে মোৱাব দেশত বাস কৰিবলৈ গৈছিল।
২ সেই ব্যক্তিৰ নাম ইলীমেলক আছিল। তেওঁৰ ভাৰ্যাৰ নাম নয়মী,
অাৰু তেওঁৰ পুতেক দুজনৰ নাম মহলোন আৰু কিলিয়োন আছিল৷
তেওঁলোক যিহূদাৰ বৈৎলেহেম নিবাসী ইফ্ৰাথীয়া মানুহ আছিল।
তেওঁলোকে মোৱাব দেশলৈ গ'ল আৰু সেই দেশ পোৱাৰ পাছত
তেওঁলোকে তাতে বাস কৰিবলৈ ল'লে। ৩ পাছত নয়মীৰ স্বামী
ইলীমেলকৰ মৃত্যু হ'ল আৰু তেওঁ পুত্ৰ দুজনৰ সৈতে তাতে নিবাস
কৰিবলৈ ল'লে। ৪ তেওঁৰ পুত্ৰ দুজনে তাতে দুজনী মোৱাবীয়া ছোৱালী
বিয়া কৰালে; তাৰে এজনীৰ নাম অৰ্পা আৰু আন এজনীৰ নাম ৰূথ।
তেওঁলোকে সেই ঠাইত প্ৰায় দহ বছৰ বসবাস কৰি থাকিল। ৫
তাৰ পাছত মহলোন আৰু কিলিয়োন নামৰ এই পুত্ৰ দুজনৰো মৃত্যু
হ'ল; নয়মী পুত্ৰহাৰা আৰু স্বামীহীনা হ'ল। ৬ পাছত নয়মীয়ে দুজনী
বোৱাৰীয়েকৰে সৈতে মোৱাব দেশ ত্যাগ কৰি যিহূদা দেশলৈ উভটি
যোৱাৰ সিদ্ধান্ত ল'লে৷ তেওঁ মোৱাব দেশতে শুনিবলৈ পাইছিল যে,
যিহূদা দেশত থকা নিজৰ লোকসকলক যিহোৱাই প্ৰয়োজনৰ সময়ত
সহায় কৰে আৰু খোৱা বস্তু যোগায়। ৭ সেয়ে নয়মীয়ে বোৱাৰী দুজনীৰ
সৈতে সেই দেশ পৰিত্যাগ কৰি যিহূদা দেশলৈ খোজকাঢ়ি উভতি
আহিবলৈ সিদ্ধান্ত ল'লে৷ ৮ সেয়ে নয়মীয়ে বোৱাৰীয়েক দুজনীক ক'লে,
"তোমালোকে নিজ নিজ মাতৃৰ ঘৰলৈ উভটি যোৱা, তোমালোকে যি
দৰে মৃতবোৰলৈ আৰু মোলৈকো দয়া কৰিছিলা, সেইদৰে যিহোৱাই
তোমালোককো দয়া কৰক। ৯ তোমালোকে যেন পুনৰ স্বামী গ্ৰহণ
কৰি তেওঁলোকৰ ঘৰত বিশ্ৰাম কৰিব পোৱা, যিহোৱাই তোমালোকক
এনে বৰ দিয়ক।" তাৰ পাছত তেওঁ দুয়োকে চুমা খোৱাত, তেওঁলাকে
চিঞঁৰি কান্দিবলৈ ধৰিলে। ১০ আৰু তেওঁক তেওঁলোকে ক'লে, "নহয়
নহয়; আমি হ'লে আপোনাৰ লগত আপোনাৰ লোকসকলৰ ওচৰলৈ
যাম।" ১১ তেতিয়া নয়মীয়ে ক'লে, "হে মোৰ আইটিহঁত উভটি যোৱা;

তোমালোকে মোৰ লগত কিয় যাব ওলাইছা? তোমালোকৰ স্বামী
হ’বৰ বাবে এতিয়া জানো মই গৰ্ভত পুত্ৰ ধাৰণ কৰিব পাৰিম? ১২ হে
মোৰ আইটিহঁত, নিজ বাটে উভটি যোৱা, কিয়নো মই অতি বৃদ্ধা,
আকৌ বিয়া হ’ব নোৱাৰো, আৰু যদিও মোৰ আশা আছে বুলি মই
কওঁ, আৰু মই বিয়া হৈ আজি ৰাতিয়েই যদি পুত্ৰ প্ৰসৱ কৰোঁ, ১৩
তথাপি তোমালোকে জানো সিহঁত ডাঙৰ হোৱালৈকে সিহঁতৰ কাৰণে
বিয়া নোহোৱাকৈ অপেক্ষাত থাকিব পাৰিবা? হে মোৰ আইটিহঁত, মই
তোমালোকতকৈয়ো অতি বেছি দুখিত, কাৰণ যিহোৱাৰ হাত মোৰ
বিৰুদ্ধে উঠিল।” ১৪ তেতিয়া তেওঁলোকে পুনৰ চিঞঁৰি কান্দিবলৈ
ধৰিলে, আনহাতে অৰ্পাই শাহুৱেকক চুমা খাই বিদায় ল’লে; কিন্তু ৰূথ
তেওঁৰ লগতে থাকিল। ১৫ তেতিয়া নয়মীয়ে ক’লে, “সৌৱা চোৱা,
তোমাৰ জায়েৰাই নিজ লোকসকলৰ আৰু নিজ দেৱতাৰ ওচৰলৈ
ঘূৰি গ’ল; তুমিও তোমাৰ জায়েৰাৰ সৈতে উভটি যোৱা।” ১৬ কিন্তু
ৰূথে ক’লে, “আপোনাক এৰি আপোনাৰ ওচৰৰ পৰা যাবলৈ মোক
নকব৷ কিয়নো, আপুনি য’লৈকে যাই, ময়ো তালৈকে যাম, আৰু আপুনি
য’ত থাকিব, মইয়ো তাতে থাকিম, আপোনাৰ লোকসকলে মোৰ
লোক হ’ব, আৰু আপোনাৰ ঈশ্বৰেই মোৰো ঈশ্বৰ হ’ব৷ ১৭ আপোনাৰ
যি ঠাইত মৃত্যু হ’ব, মোৰো সেই ঠাইতে মত্যু হ’ব, আৰু তাতেই
মোৰ মৈদামো হ’ব; কেৱল মৃত্যুৰ বাহিৰে আন কোনোৱে যদি মোক
আপোনাৰ পৰা পৃথক কৰিব পাৰে, তেন্তে যিহোৱাইহে মোক অধিক
দণ্ড দিয়ক।” ১৮ যেতিয়া নয়মীয়ে দেখিলে যে, ৰূথ তেওঁৰ লগত
যাবলৈ দৃঢ় প্ৰতিজ্ঞ, তেতিয়া তেওঁ তাইক পুনৰ বাধা নকৰিলে। ১৯
পাছত তেওঁলোক দুয়ো বৈৎলেহেম চহৰ নোপোৱালৈকে গৈ থাকিল
আৰু তেওঁলোকে বৈৎলেহেম নগৰ পোৱাৰ পাছত, তেওঁলোকৰ বিষয়
লৈ নগৰৰ লোকসকল উত্তেজিত হৈ পৰিল, আৰু মহিলাসকলে আহি
সুধিলে, “এৱেঁই নয়মী নহয় নে?” ২০ তেতিয়া তেওঁ তেওঁলোকক
ক’লে, “মোক নয়মী বুলি নামাতিবা, কিন্তু মাৰা বুলি মাতিবা। কিয়নো
সৰ্ব্বশক্তিমান ঈশ্বৰে মোৰ জীৱন তিক্ততাৰে পৰিপূৰ্ণ কৰিলে। ২১ মই
পূৰ্ণ সংসাৰ লৈ ওলাই গৈছিলোঁ, কিন্তু যিহোৱাই মোৰ সংসাৰ শূন্য

কৰি ঘৰলৈ উভটাই আনিলে। সেয়ে তোমালোকে মোক কিয় নয়মী
বুলি মাতিছা? যিহোৱাই মোৰ বিৰুদ্ধে সাক্ষ্য দিছে, আৰু সৰ্ব্বশক্তিমান
ঈশ্বৰে মোক যাতনাদায়ক কৰিলে।” ২২ এইদৰে নয়মী আৰু তেওঁৰ
মোৱাবীয়া বোৱাৰীয়েক ৰূথ মোৱাব দেশৰ পৰা উভটি আহিল আৰু
তেওঁলোকে যৱ ধান দাৱলৈ আৰম্ভ কৰা কালত বৈৎলেহেম আহি
পালে।

২ ইলীমেলকৰ গোষ্ঠীৰ মাজৰ বোৱজ নামেৰে এজন ভদ্ৰ আৰু
ধনীলোক নয়মীৰ স্বামীৰ সম্পৰ্কীয় আছিল। ২ মোৱাবীয়া ৰূথে নয়মীক
ক’লে, “নিবেদন কৰোঁ, মই পথাৰলৈ যাওঁ আৰু যি ব্যক্তিৰ দৃষ্টিত
অনুগ্ৰহ পাওঁ, তাৰ পাছে পাছে শস্যৰ পৰি থকা থোক বোটলোগৈ।”
তেতিয়া নয়মীয়ে তেওঁক ক’লে, “আইটি যোৱা।” ৩ তেতিয়া তেওঁ
গ’ল আৰু গৈ এখন পথাৰ পালে; তাতে তেওঁ ধান দাই থকাসকলৰ
পাছে পাছে গৈ শস্যৰ পৰি থকা থোক বোটলিবলৈ ধৰিলে, আৰু
ঘটনাক্ৰমে তেওঁ ইলীমেলকৰ গোষ্ঠীৰ মাজৰ সেই বোৱজৰ মাটি
ডোখৰতে উপস্থিত হ’ল। ৪ পাছত বোৱজে বৈৎলেহেমৰ পৰা আহি
ধান দোৱাসকলক ক’লে, “যিহোৱা তোমালোকৰ সঙ্গী হওক।” সিহঁতে
উত্তৰ দিলে, “যিহোৱাই আপোনাক আশীৰ্ব্বাদ কৰক।” ৫ পাছত
বোৱজে ধান দোৱাসকলৰ ওপৰত নিযুক্ত কৰা নিজ দাসক সুধিলে,
“সেইজনী গাভৰু কোন ঠাইৰ?” ৬ তেতিয়া ধান দোৱাসকলৰ ওপৰত
নিযুক্ত কৰা দাসে ক’লে, “তাই নয়মীৰ লগত মোৱাব দেশৰ পৰা
অহা মোৱাবীয়া গাভৰু। ৭ তাই আহি মোক ক’লে, ‘অনুগ্ৰহ কৰি ধান
দোৱাসকলৰ পাছে পাছে গৈ মুঠিৰ মাজে মাজে পৰি থকা থোকবোৰ
বুটলি গোটাবলৈ মোক দিয়ক’, সেয়ে ৰাতিপুৱাৰে পৰা এতিয়ালৈকে
তাই থোকবোৰ বুটলি আছে। তাই ঘৰত অলপ সময়হে জিৰণি
লৈছিল।” ৮ তেতিয়া বোৱজে ৰূথক ক’লে, “আইটি, শুনাচোন, তুমি
বুটলিবলৈ আন পথাৰলৈ নাযাবা; মোৰ পথাৰ ত্যাগ নকৰিবা, কিন্তু
ইয়াতে থাকি, মোৰ গাভৰু দাসী সকলৰ লগত কাম কৰা। ৯ পথাৰৰ
যি ভাগতে শস্য দোৱা হয়, তালৈকে চকু দি তুমি দাসীসকলৰ পাছত
যাবা; তোমাক স্পৰ্শ কৰিবলৈ মই ডেকাবোৰক নিষেধ কৰা

নাই? আৰু পিয়াহ লাগিলে তুমি পাত্ৰৰ ওচৰলৈ গৈ ডেকাবোৰে তুলি
অনা পানী খাবা।” ১০ তেতিয়া তেওঁ তললৈ মুখ কৰি মাটিত পৰি
প্ৰণিপাত কৰিলে আৰু তেওঁক ক’লে, “মই বিদেশীনী হোৱা স্বত্তেও কিয়
আপুনি মোক কৃপাদৃষ্টি কৰিছে, আৰু কিয় মই আপোনাৰ এই অনুগ্ৰহ
লাভ কৰিছোঁ।” ১১ বোৱজে উত্তৰ দি ক’লে, “তোমাৰ স্বামীৰ মৃত্যুৰ
পাছত তুমি শাহুৰেৰালৈ যেনেদৰে ব্যৱহাৰ কৰি আছা, আৰু পিতৃ-মাতৃ
লগতে নিজ জন্মভুমি এৰি, তুমি আগেয়ে নজনা লোকসকলৰ ওচৰলৈ
আহিছা, এই সকলো কথা সম্পূৰ্ণকৈ মোক জানিবলৈ দিলে। ১২
যিহোৱাই তোমাৰ কৰ্ম অনুসাৰে তোমাক ফল দিয়ক; তুমি ইস্ৰায়েলৰ
যি যিহোৱাৰ ডেউকাৰ তলত আশ্ৰয় ল’বলৈ আহিছা, তেৰেঁই তোমাক
সম্পূৰ্ণকৈ পুৰস্কাৰ দিয়ক।” ১৩ তেতিয়া ৰূথে ক’লে, “হে মোৰ প্ৰভু,
আপুনি মোলৈ কৃপাদৃষ্টি কৰক; কিয়নো আপুনি মোক শান্তনা দিলে,
আৰু মই আপোনাৰ দাসী নোহোৱা স্বত্তেও মোক নিজৰ দাসীৰ দৰে
মৰমৰ কথা ক’লে।” ১৪ পাছত ভোজনৰ সময়ত বোৱজে ৰূথক ক’লে,
“তুমি এই ঠাইলৈ আহি পিঠা লৈ খোৱা, আৰু তুমি লোৱা পিঠাডোখৰ
টেঙা দ্ৰাক্ষাৰসত জুবুৰিওৱা।” তেতিয়া তেওঁ ধান দোৱা লোকসকলৰ
কাষত আহি বহিল আৰু বোৱজে হাত মেলি ভজা যৱ তেওঁক খাবলৈ
দিলে। তাতে তেওঁ ভোজন কৰি তৃপ্ত হ’ল, আৰু তাৰে কিছু অংশ
ৰাখি হ’ল। ১৫ পাছত তেওঁ ধান বুটলিবলৈ উঠি আহোতে, বোৱজে
তেওঁৰ ডেকা দাসসকলক আজ্ঞা দি ক’লে, “তাইক মুঠিবোৰৰ মাজতো
বুটলিবলৈ দে, আৰু তাইক অপমান নকৰিবি। ১৬ বন্ধা মুঠিবোৰৰ
পৰাও কিছু কিছু টানি উলিয়াই তাইক বুটলিবৰ কাৰণে এৰি দিবি,
আৰু তাইক বুটলিবলৈ বাধা নিদিবি।” ১৭ তেতিয়া ৰূথে সন্ধিয়ালৈকে
সেই পথাৰত যৱ ধান বুটলিলে; আৰু নিজে বুটলা যৱ ধান মাৰোতে
প্ৰায় এক ঐফা যৱ ধান পালে। ১৮ পাছত তেওঁ সেই যৱ ধান খিনি লৈ
নগৰলৈ গ’ল আৰু তেওঁ বুটলি গোটোৱা ধান শাহুৰেকে চালে। তাতে
ৰূথে ভজা যৱ খাই তৃপ্ত হোৱাৰ পাছত যি অৱশিষ্ট ভাগ ৰাখিছিল,
সেইখিনিও উলিয়াই তেওঁ শাহুৰেকক দিলে। ১৯ তেতিয়া শাহুৰেকে
তেওঁক ক’লে, “তুমি আজি ক’ত ধান বুটলিছিলা? বা ক’ত কাম

কৰিবলৈ গৈছিলা? যি জন মানুহে তোমাক ইমান মৰম কৰিলে, তেওঁ
আশীৰ্ব্বাদ প্ৰাপ্ত হওঁক।" তেতিয়া তেওঁ যি জনৰ ওচৰত কাম কৰিছিল,
সেই জনৰ বিষয়ে শাহুৰেকক বুজাই ক'লে, "যি মানুহৰ তাত মই
আজি কাম কৰিছিলোঁ, তেওঁৰ নাম বোৱজ।" ২০ তেতিয়া নয়মীয়ে
নিজ বোৱাৰীয়েকক ক'লে, "সেই সৰ্ব্বশক্তিমান ঈশ্বৰে জীৱিত আৰু
মৃত লোকলৈ দয়া কৰিবলৈ এৰা নাই, তেওঁ যিহোৱাৰ পৰা আশীৰ্ব্বাদ
পাওক।" নয়মীয়ে পুনৰ ক'লে, "সেই ব্যক্তিজন আমাৰ সম্পৰ্কীয়,
আৰু আমাৰ উদ্ধাৰ পোৱা জাতি সমূহৰ মাজৰ এজন।" ২১ পাছত
মোৱাবীয়া ৰূথে ক'লে, "তেওঁ মোক ইয়াকো ক'লে যে, 'মোৰ ধান
আটাইবোৰ দাই শেষ নোহোৱালৈকে তুমি মোৰ দাস-দাসীসকলৰ লগ
নেৰিবা'।" ২২ আৰু নয়মীয়ে নিজ বোৱাৰীয়েক ৰূথক ক'লে, "আইটি
তুমি তেওঁৰ দাসীসকলৰ লগে লগে যোৱা ভাল; সেয়ে নহ'লে, আন
কোনো পথাৰত কোনোবাই তোমাক অপমান কৰিব পাৰে।" ২৩
এইদৰে যৱ ধান আৰু ঘেহুঁ ধান দাই শেষ নকৰালৈকে তেওঁ ধান বুটলি
বোৱজৰ দাসীসকলৰ লগে লগে থাকিল, আৰু নিজ শাহুৰেকৰ লগত
বাস কৰিলে।

৩ নয়মীয়ে তেওঁৰ বোৱাৰীয়েক ৰূথক ক'লে, "হে মোৰ আইটি, যাৰ
দ্বাৰাই তোমাৰ মঙ্গল হয়, এনে সুৰক্ষিত ঠাই মই জানো তোমাৰ
কাৰণে নিবিচাৰিম? ২ তুমি যি বোৱজৰ দাসীসকলৰ লগত কাম
কৰিছিলা, সেই বোৱজ জানো আমাৰ সম্পৰ্কীয় লোক নহয়? চোৱা,
তেওঁ আজি ৰাতি মৰণা মৰা ঠাইত যৱ ধান জাৰি আছে। ৩ সেয়ে, তুমি
এতিয়া গা ধুই পৰিস্কাৰ হোৱা, সুগন্ধি তেল ঘঁহা, আৰু কাপোৰ সলনি
কৰি সেই শস্যমৰা ঠাইলৈ যোৱা৷ কিন্তু সেই ব্যক্তিয়ে ভোজন-পান
কৰি শেষ নকৰালৈকে তুমি তেওঁক দেখা নিদিবা। ৪ তেওঁ যেতিয়া
টোপনি যাব, তেতিয়া তুমি তেওঁৰ শোৱা ঠাই মনত ৰাখি, পাছত
তেওঁৰ ওচৰলৈ যাবা আৰু তেওঁৰ ভৰি ফালৰ কাপোৰ গুচাই তাতেই
তুমি শুবা; পাছত তুমি কি কৰিব লাগিব, সেই বিষয়ে তেওঁ তোমাক
ক'ব।" ৫ তেতিয়া ৰূথে নয়মীক ক'লে, "আপুনি যেনেদৰে ক'লে,
মই সেই মতে কৰিম।" ৬ পাছত তেওঁ সেই শস্যমৰা ঠাইলৈ গ'ল,

আৰু তেওঁৰ শাহুৱেকে দিয়া আদেশ অনুসাৰে সকলো কৰিলে। ৭
বোৱজে ভোজন-পান কৰি আনন্দ মনেৰে গৈ শস্যৰ দ'মৰ এমূৰত
গৈ শুলে, তেতিয়া ৰূথে ধীৰে ধীৰে গৈ তেওঁৰ ভৰিৰ ফালৰ কাপোৰ
আতৰালে আৰু তাতেই শুই পৰিল। ৮ পাছত মাজনিশা বোৱজে বাগৰ
সলাওঁতে, নিজৰ ভৰিৰ ওচৰত এজনী তিৰোতা মানুহ শুই থকা গম
পাই উচপ খাই উঠিল। ৯ তেতিয়া তেওঁ সুধিলে, "তুমি কোন?" তেওঁ
ক'লে, "মই আপোনাৰ দাসী ৰূথ; এতেকে আপোনাৰ এই দাসীৰ
ওপৰলৈ আপোনাৰ কাপোৰৰ আঁচল মেলি দিয়ক; কাৰণ আপুনি
আমাৰ উদ্ধাৰকৰ্তা আৰু আমাৰ সম্পৰ্কীয়।" ১০ তেতিয়া তেওঁ ক'লে,
"আইটি তুমি যিহোৱাৰ আশীৰ্ব্বাদ প্ৰাপ্ত হোৱা; কিয়নো তুমি ধনী বা
দুখীয়া কোনো ডেকা পুৰুষৰ ওচৰলৈ নগৈ, প্ৰথমতকৈ শেষত পুনৰ
অধিক প্ৰেম দেখুৱালা। ১১ এতেকে আইটি, তুমি ভয় নকৰিবা; তুমি
কোৱা সকলোকে মই কৰিম, কিয়নো তুমি যে সতী, ইয়াক মোৰ নিজ
নগৰৰ ভিতৰত থকা সকলো মানুহে জানে। ১২ এইটো সত্য যে, মই
তোমালোকৰ সম্পৰ্কীয় লোক হওঁ, কিন্তু মোতকৈও ওচৰ-সম্পৰ্কীয়
আন এজন আছে। ১৩ আজি ৰাতি ইয়াতে থাকা৷ ৰাতিপুৱা তেওঁ যদি
ওচৰ সম্পৰ্কীয় হিচাপে তোমাক গ্ৰহণ কৰে, তেন্তে ভালেই, তেওঁৱেই
সেই কাৰ্য কৰক৷ কিন্তু তেওঁ তোমাক যদি গ্ৰহণ কৰিবলৈ ইচ্ছা নকৰে,
তেন্তে যিহোৱাৰ জীৱনৰ শপত, ময়েই তোমাক গ্ৰহণ কৰিম। তুমি
ৰাতিপুৱালৈকে ইয়াতেই শুই থাকা।" ১৪ তেতিয়া ৰূথে ৰাতিপুৱালৈকে
তেওঁৰ ভৰিৰ ওচৰত শুই থাকিল; পাছত দোকমোকালিতে অৰ্থাৎ
ইজনে সিজনক চিনিব নোৱাৰা সময়তেই তেওঁ উঠিল; কাৰণ বোৱজে
কৈছিল, 'শস্যমৰা ঠাইলৈ মহিলা মানুহ অহা কোনেও জানিব নালাগে'।
১৫ পাছত তেওঁ পুনৰ ক'লে, "তুমি গাত লোৱা ওপৰৰ কাপোৰ মেলি
ধৰা।" তেতিয়া ৰূথে কাপোৰখন মেলি ধৰোতে তেওঁ ছয় দোন যৱ ধান
জুখি কাপোৰত ঢালি দি তেওঁৰ মুৰত তুলি দিলে; আৰু তেওঁ নগৰলৈ
গুচি গ'ল। ১৬ পাছত ৰূথে যেতিয়া নিজৰ শাহুৱেকৰ ওচৰলৈ আহিল,
তেতিয়া শাহুৱেকে তেওঁক ক'লে, "আইটি তোমাৰ কি হ'ল?" তেতিয়া
সেই ব্যক্তি জনে তেওঁলৈ কৰা আটাই কথা শাহুৱেকক তেওঁ ক'লে।

১৭ ৰূথে পুনৰ ক'লে, "তেওঁ মোক 'শাহুৰেৰাৰ ওচৰলৈ শুদাহাতে যাব
নালাগে', এই বুলি কৈ এই ছয় দোন যৱ ধান দিলে।" ১৮ তেতিয়া
তেওঁৰ শাহুৰেকে তেওঁক ক'লে, "আইটি, এই বিষয়ে কি ঘটিব, সেই
বিষয়ে যেতিয়ালৈকে নাজানা তেতিয়ালৈকে তুমি অপেক্ষা কৰি বহি
থাকা; কিয়নো সেই ব্যক্তিয়ে আজি এই কাৰ্য সমাধান নকৰালৈকে
মনে মনে বহি নাথাকিব।"

**4** তাৰ পাছত, বোৱজে বৈৎলেহেম নগৰৰ দুৱাৰৰ সন্মুখলৈ উঠি
গৈ তাতে বহিল; এনেতে যিজন ওচৰ সম্পৰ্কীয় ব্যক্তিৰ কথা ৰূথক
তেওঁ কৈছিল, সেই ব্যক্তি জন বাটেদি আহি আছিল; তেতিয়া বোৱজে
তেওঁক নাম কাঢ়ি মাতি ক'লে, "ইয়ালৈ আহি বহাচোন।" পাছত তেওঁ
তাতে আহি বহিল। ২ তেতিয়া বোৱজে নগৰৰ বৃদ্ধ সকলৰ মাজৰ
দহজনক মাতি আনি ক'লে, "আপোনালোক এই ঠাইতে বহ'ক।"
তেতিয়া তেওঁলোক আহি সেই ঠাইতে বহিল। ৩ তেতিয়া বোৱজে
সেই ওচৰ সম্পৰ্কীয় ব্যক্তিজনক ক'লে, "আমাৰ ভাই ইলীমেলকৰ
যি মাটিডোখৰ আছিল, সেই ডোখৰ মাটি মোৱাব দেশৰ পৰা ঘূৰি
অহা নয়মীয়ে বেচিব খুজিছে৷ ৪ এই হেতুকে মই তোমাক এই
কথা জনাব খুজিছোঁ যে, আমাৰ সন্মুখত বহি থকা ব্যক্তিসকলৰ
আৰু মোৰ জাতিৰ বৃদ্ধসকলৰ আগত তুমি সেই মাটি ডোখৰ কিনি
লোৱা৷ তুমি যদি মুক্ত কৰা, তেন্তে কৰা৷ কিন্তু যদি নকৰা, তেন্তে
মোক কোৱা, মই জানিব খুজিছোঁ। কিয়নো মুক্ত কৰিবলৈ তোমাতকৈ
ওচৰ-সম্পৰ্কীয় আন কোনো ব্যক্তি নাই, কিন্তু তোমাৰ পাছত মইহে
আছোঁ।" তেতিয়া সেই ব্যক্তি জনে ক'লে, "মই মুক্ত কৰিম।" ৫
তেতিয়া বোৱজে ক'লে, "তুমি যিদিনা নয়মীৰ হাতৰ পৰা মাটি ডোখৰ
কিনিবা, সেইদিনা তুমি মৃতজনৰ বংশৰ নাম জীয়াই ৰাখিবলৈ তেওঁৰ
মোৱাবীয়া পত্নী ৰূথকো গ্ৰহণ কৰিব লাগিব৷" ৬ তেতিয়া সেই ওচৰ
সম্পৰ্কীয় ব্যক্তিজনে বোৱজক ক'লে, "তেনেহ'লে মই নিজৰ বংশৰ
ক্ষতি কৰি তেওঁক গ্ৰহণ কৰিব নোৱাৰোঁ; তুমি মোৰ অধিকাৰ লৈ
তেওঁক গ্ৰহণ কৰা, কিয়নো মই কৰিব নোৱাৰোঁ।" ৭ ইস্ৰায়েলৰ মাজত
মুক্ত কৰা আৰু সলোৱাৰ এনে ৰীতি-নীতি প্ৰচলিত আছিল, এই ৰীতি

স্থিৰ কৰিবলৈ এজনে নিজৰ জোতা সোলোকাই আন জনক দিয়ে,
এইদৰে ইস্রায়েলৰ মাজত সাক্ষীস্বৰূপ চৰ্ত আছিল। ৮ সেয়ে তেওঁৰ
ওচৰ সম্পৰ্কীয় ব্যক্তিজনে বোৱজক ক'লে, "তুমি নিজে কিনি লোৱা।"
এইদৰে কৈ, তেওঁ নিজৰ জোতা সোলোকাই দিলে। ৯ তাৰ পাছত
বোৱজে বৃদ্ধ সকলক আৰু আটাই লোকসকলক ক'লে, "ইলীমেলকৰ
যি যি আছিল, আৰু কিলিয়োন আৰু মহলোনৰ যি যি আছিল, সেই
সকলোকে মই নয়মীৰ হাতৰ পৰা কিনিলোঁ; আজি তোমালোক ইয়াৰ
সাক্ষী থ'লো। ১০ আপোনাৰ ভাইসকলৰ মাজৰ পৰা আৰু আপুনি
বাস কৰা ঠাইৰ পৰা সেই মৃত লোকৰ নাম যেন লুপ্ত নহয়, সেইবাবে
মৃতলোকৰ অধিকাৰত তেওঁৰ নাম ৰাখিবৰ অৰ্থে মই নিজ ভাৰ্য্যাস্বৰূপে
মহলোনৰ ভাৰ্যা মোৱাবীয়া ৰূথকো কিনিলোঁ; আজি আপোনালোকে
সকলোৱে ইয়াৰ সাক্ষী হৈ ৰ'ল।" ১১ নগৰৰ ভিতৰত থকা সকলো
লোক আৰু বৃদ্ধসকলে ক'লে, "আমি ইয়াৰ সাক্ষী হ'লো; যি গৰাকী
মহিলা তোমাৰ বংশত প্ৰৱেশ কৰিলে, যিহোৱাই তেওঁক ইস্রায়েল বংশ
স্থাপন কৰা যি ৰাহেল আৰু লেয়া আছিল, এওঁকো তেওঁলোকৰ দৰে
কৰক; আৰু ইফ্ৰাথাত তোমাৰ পৰাক্ৰম আৰু বৈৎলেহেমত তোমাৰ
সুখ্যাতি হওক। ১২ যিহোৱাই সেই মহিলাৰ পৰা তোমাক যি সন্তান
দিব, সেই সন্তানৰ দ্বাৰাই, তামাৰৰ পৰা যিহূদালৈ জন্মা পেৰচৰ বংশৰ
দৰে হওক।" ১৩ বোৱজে ৰূথক বিবাহ কৰি তেওঁৰ ভাৰ্যা ৰূপে গ্ৰহণ
কৰিলে আৰু বোৱজে তেওঁৰ লগত শয়ন কৰাৰ পাছত তেওঁ যিহোৱাৰ
পৰা আশীৰ্ব্বাদ পাই গৰ্ভধাৰণ কৰি এটি পুত্ৰ প্ৰসৱ কৰিলে। ১৪ পাছত
এই বাতৰি পাই, মহিলাসকলে নয়মীক ক'লে, "ধন্য যিহোৱা, তেওঁ
আজি তোমাক ওচৰ সম্পৰ্কীয় কোনো নথকাকৈ অকলশৰে ৰখা নাই;
এই সন্তানটিৰ নামো ইস্রায়েলৰ মাজত প্ৰখ্যাত হওক। ১৫ ই তোমাৰ
জীৱন পুনৰ প্ৰতিষ্ঠা কৰিব, আৰু বৃদ্ধ অৱস্থাত তোমাৰ প্ৰতিপালক হ'ব,
কাৰণ তোমাক প্ৰেম কৰোঁতা, আৰু তোমাৰ সাতজন পুত্ৰতকৈও উত্তম
যি তোমাৰ বোৱাৰী তেওঁ ইয়াক প্ৰসৱ কৰিলে।" ১৬ তেতিয়া নয়মীয়ে
ল'ৰাটিক নিজৰ কোলাত ল'লে, আৰু তেওঁ তাৰ ধাই মাতৃস্বৰূপ হ'ল।
১৭ পাছত নয়মীৰ এটি পুত্ৰ জন্মিল, এই বুলি তেওঁৰ ওচৰ-চুবুৰীয়া

মহিলাসকলে তাৰ নাম ওবেদ হ'ল। তেওঁ দায়ুদৰ ককাক, অৰ্থাৎ
যিচয়ৰ বাপেক। ১৮ এয়ে পেৰচৰ বংশাৱলী: পেৰচৰ পুতেক হিষ্ৰোণ,
১৯ হিষ্ৰোণৰ পুতেক ৰাম, ৰামৰ পুতেক অম্মীনাদব, ২০ অম্মীনাদবৰ
পুতেক নহচোন, নহচোনৰ পুতেক চলমোন, ২১ চলমোনৰ পুতেক
বোৱজ, বোৱজৰ পুতেক ওবেদ, ২২ ওবেদৰ পুতেক যিচয়, যিচয়ৰ
পুতেক দায়ুদ।

# ১ সামুয়েল

১ পৰ্বতীয়া দেশ ইফ্ৰয়িমৰ ৰামাথয়িম চোফীম অঞ্চলৰ নিবাসী
ইলকানা নামেৰে এজন ব্যক্তি আছিল। তেওঁ যিৰোহমৰ পুত্ৰ আৰু চুফ
পৰিবাৰৰ আছিল। যিৰোহমৰ পিতৃ হ'ল ইলীহূ, ইলীহূৰ পিতৃ হ'ল
তহূৰ, তহূৰৰ পিতৃ হ'ল চূফ। এওঁলোক ইফ্ৰয়িমৰ গোষ্ঠীৰ আছিল। ২
তেওঁৰ দুজনী ভাৰ্যা আছিল; এজনীৰ নাম হান্না আৰু আন জনীৰ নাম
পিনিন্না। পিনিন্নাৰ সন্তান আছিল, কিন্তু হান্না নিঃসন্তান আছিল। ৩ এই
ব্যক্তিজনে চীলোত বাহিনী সমূহৰ যিহোৱাৰ আগত প্ৰণিপাত কৰিবলৈ
আৰু বলিদান দিবলৈ প্ৰতি বছৰে নিজ নগৰৰ পৰা গৈছিল। সেই
ঠাইত এলীৰ দুজন পুতেক হফনী আৰু পীনহচ যিহোৱাৰ পুৰোহিত
আছিল। ৪ প্ৰতি বছৰে যেতিয়া ইলকানাই সেই দিনত বলি দিবলৈ
আহে, তেতিয়া তাৰে এভাগ তেওঁ ভাৰ্যা পিনিন্নাক দিয়ে, আৰু তেওঁৰ
পুতেক জীয়েক সকলকো দিয়ে। ৫ যিহোৱাই তেওঁৰ গৰ্ভ বন্ধ কৰি
ৰাখিছিল; কিন্তু তেওঁৰ স্বামী ইলকানাই তেওঁক প্ৰেম কৰিছিল কাৰণে
হান্নাক দুভাগ দিয়ে। ৬ যিহোৱাই তেওঁৰ গৰ্ভ বন্ধ কৰি ৰখা বাবে,
সতিনীয়েকে তেওঁৰ মনত অসন্তোষ জন্মাবলৈ নানা কথাৰে তেওঁক
বিৰক্ত কৰিছিল। ৭ বছৰৰ পিছত বছৰ ধৰি হান্না যেতিয়া পৰিয়ালৰ
সৈতে যিহোৱাৰ গৃহলৈ যায়, তেতিয়া তেওঁৰ সতিনীয়ে সদায় তেওঁক
বিৰক্ত কৰে; এই হেতুকে তেওঁ ভোজন নকৰি কান্দি কান্দি দিন
অতিবাহিত কৰিছিল। ৮ তেতিয়া তেওঁৰ স্বামী ইলকানাই কয়, "হান্না
তুমি কিয় কান্দিছা? তুমি কিয় আহাৰ গ্ৰহণ নকৰা? তোমাৰ হৃদয়
দুখেৰে পৰিপূৰ্ণ কিয়? তোমাৰ দৃষ্টিত মই দহ জন পুত্ৰতকৈ উত্তম নহও
নে?" ৯ এদিন তেওঁলোকে চীলোত ভোজন-পান কৰাৰ পাছত, হান্না
থিয় হ'ল। সেই সময়ত যিহোৱাৰ মন্দিৰৰ দুৱাৰৰ খুটাৰ ওচৰত এলী
পুৰোহিত নিজ আসনৰ ওপৰত বহি আছিল। ১০ তেতিয়া হান্নাই মনৰ
বেজাৰত ভাগি পৰি যিহোৱাৰ আগত প্ৰাৰ্থনা কৰি ক্ৰন্দন কৰিলে। ১১
আৰু তেওঁ সংকল্প কৰি ক'লে, "হে বাহিনী সমূহৰ যিহোৱা, আপুনি
যদি আপোনাৰ এই দাসীৰ দুখলৈ দৃষ্টি কৰি সোঁৱৰণ কৰে, আৰু
আপোনাৰ দাসীক নাপাহৰি এটি পুত্ৰ-সন্তান দিয়ে, তেন্তে দাসীয়ে

সি জীয়াই থকালৈকে যিহোৱাৰ উদ্দেশ্যে তাক উৎসৰ্গ কৰিম; আৰু
তাৰ মূৰত খুৰ লগোৱা নহ'ব।" ১২ এনেদৰে হান্নাই বহু সময় ধৰি
যিহোৱাৰ ওচৰত প্ৰাৰ্থনা কৰি আছিল, আৰু এলীয়ে তেওঁৰ মুখলৈ
লক্ষ্য কৰি আছিল। ১৩ সেই সময়ত হান্নাই নিৰৱে হৃদয়ৰ পৰা প্ৰাৰ্থনা
কৰি আছিল, তেওঁৰ কেৱল ওঁঠ দুটিহে লৰি আছিল, কিন্তু কোনো শব্দ
শুনা নাছিল; সেয়েহে এলীয়ে তেওঁক মতলীয়া হৈছে বুলি ভাবিছিল৷
১৪ এলীয়ে তেওঁক ক'লে, "তুমি কিমান সময় মতলীয়া হৈ থাকিবা?
তোমাৰ পৰা দ্ৰাক্ষাৰস দূৰ কৰা।" ১৫ হান্নাই উত্তৰ দি তেওঁক ক'লে,
"নহয় মোৰ প্ৰভু, মই এগৰাকী অভাগিনী নাৰী, মোৰ আত্মা দুখেৰে
পৰিপূৰ্ণ, মই দ্ৰাক্ষাৰস বা কোনো ৰাগীয়াল দ্ৰব্য পান কৰা নাই, কিন্তু
যিহোৱাৰ আগত মোৰ মনৰ কথা ব্যক্ত কৰিছোঁ। ১৬ আপোনাৰ
এই দাসীক দুষ্ট তিৰোতা বুলি নাভাবিব; মোক নানা কথাৰে বিৰক্ত
কৰাত, বেজাৰ পাই অসন্তুষ্ট মনেৰে মই যিহোৱাৰ সৈতে কথা পাতি
আছিলোঁ।" ১৭ এলীয়ে উত্তৰ দি তেওঁক ক'লে, "তুমি শান্তিৰে যোৱা;
ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাৰ আগত তুমি যি নিবেদন কৰিলা, সেয়া তেওঁ
গ্ৰহণ কৰক।" ১৮ তেতিয়া তেওঁ ক'লে, "আপোনাৰ দৃষ্টিত আপোনাৰ
দাসী অনুগ্ৰহপ্ৰাপ্ত হওক।" তাৰ পাছত হান্না সেই ঠাইৰ পৰা ওলাই
গৈ আহাৰ গ্ৰহণ কৰিলে; আৰু তেওঁৰ মুখ কেতিয়াও বিবৰ্ণ নহ'ল।
১৯ পাছত তেওঁলোক পুৱাতে উঠি যিহোৱাৰ আগত প্ৰণিপাত কৰি
নিজ ঘৰ ৰামালৈ উভটি গ'ল৷ পাছত ইলকানাই নিজ ভাৰ্যা হান্নাৰ
সৈতে শয়ন কৰাত যিহোৱাই তেওঁৰ নিবেদনৰ উত্তৰ দিলে। ২০
পাছত হান্নাই গৰ্ভধাৰণ কৰিলে, আৰু নিৰ্দিষ্ট সময়ত এটি পুত্ৰ প্ৰসৱ
কৰিলে। তেওঁ তাক চমূৱেল বুলি মাতিলে, আৰু ক'লে, "কাৰণ মই
যিহোৱাৰ পৰা ইয়াক খুজিছিলোঁ৷" ২১ আকৌ ইলকানা আৰু তেওঁৰ
আটাই পৰিয়ালে যিহোৱাৰ উদ্দেশ্যে বাৰ্ষিক বলিদান কৰিবৰ বাবে
আৰু নিজৰ সংকল্প সিদ্ধ কৰিবলৈ গ'ল। ২২ কিন্তু হান্না তেওঁলোকৰ
লগত নগ'ল; তেওঁ তেওঁৰ স্বামীক ক'লে, "সন্তানটিয়ে যাতে যিহোৱাৰ
গৃহত সদায় থাকিব পাৰে, তাৰ বাবে মই সন্তানটিয়ে পিয়াহ এৰাৰ
পাছতহে তাক লৈ মই যিহোৱাৰ গৃহলৈ যাম।" ২৩ তেতিয়া তেওঁৰ

স্বামী ইলকানাই তেওঁক ক'লে, "তুমি যি ভাল দেখা, তাকে কৰা।
পিয়াহ নেৰালৈকে তুমি অপেক্ষা কৰা। যিহোৱাই নিজ বাক্য সিদ্ধ
কৰক।" সেয়ে সন্তানটিয়ে পিয়াহ নেৰালৈকে হান্না ঘৰতে থাকিল৷
২৪ সন্তানটিয়ে পিয়াহ এৰাৰ পাছত, তেওঁ তিনি বছৰীয়া এটা ভতৰা
গৰু, এক ঐফা আটাগুৰি, আৰু এক বটল দ্ৰাক্ষাৰস লৈ চীলোত থকা
যিহোৱাৰ গৃহলৈ লৈ গ'ল। সেই সময়ত সন্তানটি বয়সত সৰু আছিল।
২৫ তাতে তেওঁলোকে ভতৰা গৰুটো বধ কৰিলে আৰু সন্তানটোক
এলীৰ ওচৰলৈ লৈ গ'ল। ২৬ হান্নাই এলীক ক'লে, "হে মোৰ প্ৰভু,
আপোনাৰ উদ্দেশ্যে এই ঠাইত থিয় হৈ প্ৰাৰ্থনা কৰা মহিলা গৰাকী
ময়েই। ২৭ এই সন্তানটিৰ উদ্দেশ্যে মই প্ৰাৰ্থনা কৰিছিলোঁ; আৰু
যিহোৱাৰ আগত মই যি খুজিছিলোঁ, সেয়া তেওঁ মোক দিলে। ২৮
সেয়ে মই যিহোৱালৈ সন্তানটিক উৎসৰ্গ কৰিলোঁ। জীৱনৰ শেষলৈকে
তাক যিহোৱাৰ উদ্দেশ্যে দিয়া হ'ল।" ইলকানা আৰু তেওঁৰ পৰিয়ালে
সেই ঠাইত যিহোৱাৰ প্ৰশংসা কৰিলে।

২ হান্নাই প্ৰাৰ্থনা কৰিলে আৰু ক'লে, "মোৰ মনে যিহোৱাত আনন্দ
কৰিছে; মোৰ শক্তি যিহোৱাত মোৰ গৰ্ব্ব হৈছে; শত্ৰুবোৰৰ আগত
মই দৃঢ়তাৰে কথা ক'ব পৰা হৈছোঁ কাৰণ মই আপোনাৰ পৰিত্ৰাণত
উল্লাসিত হৈছোঁ। ২ যিহোৱাৰ দৰে আন কোনো পবিত্ৰ নাই,
কিয়নো আপোনাৰ বাহিৰে আন কোনো নাই; আমাৰ যিহোৱাৰ সদৃশ
কোনো শিলা নাই। ৩ তোমালোকে অহঙ্কাৰেৰে পুনৰ কথা নক'বা,
তোমালোকৰ মুখৰ পৰা দৰ্পৰ কথা নোলাওক৷ কিয়নো যিহোৱা
সৰ্ব্বজ্ঞানী ঈশ্বৰ হয়, তেওঁৰ দ্বাৰাই কাৰ্যবোৰ তৰ্জুত জোখা হয়। ৪
বীৰসকলৰ ধনু ভঙা হ'ল, উজুটি খোৱা সকলক বলৰূপ টঙালিৰে
বন্ধা হ'ল। ৫ তৃপ্ত হোৱাসকলে আহাৰৰ ববে কাম কৰিব লগা হ'ল,
ভোকত থকা সকলৰ খাদ্যৰ অভাৱ নহ'ল৷ সন্তানহীনাই সাতোটা
সন্তান প্ৰসৱ কৰিলে, অধিক সন্তান থকা জনী নিশকতীয়া হৈ গ'ল৷
৬ যিহোৱাই মৃত্যু আৰু জীৱন দান কৰে, তেওঁ চিয়োললৈ নমায়
আৰু পুনৰায় তোলে৷ (Sheol h7585) ৭ যিহোৱাই দৰিদ্ৰও কৰে আৰু
ধনীও কৰে, তেওঁ নম্ৰও কৰে আৰু ক্ষমতাও দান কৰে৷ ৮ তেওঁ

নিঃকিন অৱস্থাৰ পৰা দৰিদ্ৰক উন্নত কৰে, তেওঁ গোবৰৰ দ'মৰ পৰা
দৰিদ্ৰ জনক উঠায়৷ তেওঁলোকক প্ৰতাপী জনৰ সৈতে বহিবলৈ যোগ্য
কৰে, উত্তৰাধিকাৰী সূত্ৰে সন্মানীয় স্থান প্ৰদান কৰে৷ কিয়নো পৃথিৱীৰ
স্তম্ভবোৰ যিহোৱাৰেই, তেওঁ তাৰ ওপৰত জগতখন স্থাপন কৰিলে। ৯
তেওঁৰ বিশ্বস্ত লোকসকলৰ খোজ তেওঁ ৰক্ষা কৰিব, কিন্তু দুষ্টবোৰক
আন্ধাৰত গুপুতে ৰাখিব৷ আৰু কোনো মানুহে নিজ বলেৰে জিকিব
নোৱাৰিব। ১০ যিহোৱাৰ সৈতে প্ৰতিবাদ কৰা সকলক খণ্ড খণ্ড কৰা
হ'ব, তেওঁ স্বৰ্গৰ পৰা সিহঁতৰ বিৰুদ্ধে বজ্ৰধ্বনি কৰিব। যিহোৱাই
পৃথিৱীৰ অন্তলৈকে বিচাৰ কৰিব, তেৱেঁই তেওঁৰ ৰজাক শক্তি দিব,
আৰু নিজ অভিষিক্ত জনক উচ্চস্থানলৈ নিব।" ১১ তাৰ পাছত ইলকানা
নিজৰ ঘৰ ৰামালৈ গ'ল৷ কিন্তু তেওঁৰ সন্তান চমূৱেলে এলী পুৰোহিতৰ
সাক্ষাতে যিহোৱাৰ পৰিচৰ্যা কৰিবলৈ ধৰিলে। ১২ এলীৰ পুতেক দুজন
অসৎ আছিল, তেওঁলোকে যিহোৱাক ভয় নকৰিছিল। ১৩ এইদৰে
পুৰোহিতসকলে লোকসকলৰ লগত ব্যৱহাৰ কৰিছিল, কোনো মানুহে
যেতিয়া বলিদান কৰে, তেতিয়া মঙহ সিজাওঁতে, পুৰোহিতৰ দাসে
এডাল ত্ৰিশূল হাতত লৈ আহে; ১৪ আৰু লোহাৰ পাত্ৰত, বা কেৰাহীত,
বা কেটলিত, খোঁচ মাৰি দিয়ে, তাতে সেই ত্ৰিশূলত যিবোৰ মঙহ লাগি
আহে, সেই সকলোকে পুৰোহিতে সেই ত্ৰিশূল ডালেৰে সৈতে লৈ যায়।
ইস্ৰায়েলৰ যিমান লোক চীলোলৈ আহে, সেই সকলো লোকৰ ওচৰতে
তেওঁলোকে এইদৰে ব্যৱহাৰ কৰে। ১৫ তাৰ পৰিবৰ্তে তেল পোৰাৰ
পূৰ্বে, পুৰোহিতৰ দাস আহি বলিদান দিয়া জনক কয়, "পুৰোহিতৰ
কাৰণে পুৰিবলৈ মঙহ দিয়া, কিয়নো তেওঁ তোমাৰ পৰা সিজোৱা
মঙহ নলয়, কিন্তু কেঁচা মঙহহে ল'ব।" ১৬ কিন্তু মানুহজনে যদি
তেওঁক কয়, "প্ৰথমে তেলখিনি পোৰা হওক, তাৰ পাছত আপোনাৰ
যিমান ইচ্ছা সিমানখিনিয়ে ল'ব", তেতিয়া তেওঁ কয়, "নহয় এতিয়াই
মোক দে, নিদিলে, বলেৰে লম।" ১৭ সেয়েহে যিহোৱাৰ দৃষ্টিত সেই
ডেকাসকলৰ পাপ অতিশয় বৃদ্ধি হ'ল, কিয়নো সেই ডেকাসকলে
যিহোৱাৰ নৈবেদ্য হেয়জ্ঞান কৰিছিল। ১৮ সেই সময়ত চমূৱেলে
শণ সূতাৰ এফোদ বস্ত্ৰ পিন্ধি যিহোৱাৰ পৰিচৰ্যা কৰি আছিল; ১৯

তাৰ ওপৰিও তেওঁৰ মাকে তেওঁৰ কাৰণে সৰু পোছাক যুগুত কৰি
তেওঁৰ স্বামীৰ লগত বছেৰেকীয়া বলিদান উৎসৰ্গ কৰিবলৈ অহাৰ
সময়ত প্ৰতি বছৰে তেওঁক দিছিল। ২০ এলীয়ে ইলকানাক আৰু তেওঁৰ
ভাৰ্যাকো আশীৰ্ব্বাদ কৰি ক'লে, "যিহোৱাৰ অনুগ্ৰহত পোৱা সন্তানটিক
যিহোৱালৈ উৎসৰ্গ কৰাৰ বাবে এই সন্তানৰ সলনি যিহোৱাই তোমাক
এই ভাৰ্যাৰ পৰা পুনৰ সন্তান দিয়ক।" তাৰ পাছত তেওঁলোকে নিজৰ
ঘৰলৈ উভতি গ'ল। ২১ যিহোৱাই পুনৰ হান্নালৈ কৃপা কৰাৰ পাছত
তেওঁ গৰ্ভৱতী হৈ কালক্ৰমে তিনিজন ল'ৰা আৰু দুজনী ছোৱালী প্ৰসৱ
কৰিলে। ইতিমধ্যে চমূৱেল যিহোৱাৰ সাক্ষাতে বৃদ্ধি হ'ল। ২২ সেই
সময়ত এলী অতিশয় বৃদ্ধ আছিল। তেওঁ গোটেই ইস্ৰায়েললৈ কৰা
তেওঁৰ পুতেকহঁতৰ কু-ব্যৱহাৰৰ কথা শুনিলে আৰু তম্বুৰ দুৱাৰমুখত
পৰিচৰ্যা কৰা মহিলাবোৰৰ লগত শয়ন কৰাৰ কথাও শুনা পালে। ২৩
তেতিয়া তেওঁ সিহঁতক ক'লে, "তোমালোকে এনে কৰ্ম কিয় কৰিছাহঁক?
কিয়নো আটাই মানুহৰ মুখে মুখে মই তোমালোকৰ কুকৰ্মৰ কথা
শুনিছোঁ। ২৪ হে মোৰ বোপাহঁত, তোমালোকে শুনা তোমালোকে
এনে কৰ্ম নকৰিবা; কিয়নো মই যি কথা শুনিছোঁ, সেয়ে ভাল নহয়।
তোমালোকে যিহোৱাৰ লোকসকলক আজ্ঞা লঙ্ঘন কৰাইছাহঁক। ২৫
কোনো এজন মানুহে যদি মানুহৰ অহিতে দোষ কৰে, তেন্তে ঈশ্বৰে
তাৰ বিচাৰ কৰিব; কিন্তু কোনোৱে যদি যিহোৱাৰ বিৰুদ্ধে পাপ কৰে,
তেন্তে তেওঁৰ পক্ষে কোনে অনুৰোধ কৰিব?" তথাপি তেওঁলোকে নিজ
পিতৃৰ কথালৈ মন নিদিলে; কিয়নো যিহোৱাই সিহঁতক মৃত্যুদণ্ড দিবলৈ
ইচ্ছা কৰিলে। ২৬ কিন্তু চমূৱেল ক্ৰমে ক্ৰমে বাঢ়ি গ'ল; যিহোৱাৰ
আৰু মানুহৰ দৃষ্টিত তেওঁ অনুগ্ৰহ প্ৰাপ্ত হ'ল। ২৭ তাৰ পাছত ঈশ্বৰৰ
এজন ব্যক্তিয়ে এলীৰ ওচৰলৈ আহি তেওঁক ক'লে, "যিহোৱাই এই
বাৰ্তা দিছে, যি সময়ত তোমাৰ পিতৃ মিচৰত ফৰৌণৰ বংশৰ অধীনত
আছিল, সেই সময়ত মই তেওঁলোকক দৰ্শন দিয়া নাছিলোঁ নে?
২৮ তাৰ উপৰিও মোৰ পুৰোহিত হ'বলৈ, মোৰ যজ্ঞ বেদীৰ প্ৰস্থান
কৰিবলৈ, ধূপ জ্বলাবলৈ আৰু মোৰ সাক্ষাতে এফোদ বস্ত্ৰ পিন্ধিবলৈ,
ইস্ৰায়েলৰ আটাই ফৈদৰ পৰা মই তেওঁক মনোনীত কৰা নাই নে?

আৰু ইস্রায়েলৰ সন্তান সকলৰ অগ্নিকৃত উপহাৰ তোমাৰ পিতৃবংশক
দিয়া নাই নে? ২৯ সেয়েহে মই মোৰ নিবাসৰ ঠাইত আজ্ঞা কৰা মোৰ
বলি আৰু নৈবেদ্যৰ ওপৰত তোমালোকে কিয় অৱজ্ঞা কৰিছা? আৰু
মোৰ প্ৰজা ইস্রায়েলৰ লোকসকলৰ সকলো উপহাৰৰ আগ ভাগৰ
দ্বাৰাই তোমালোক হৃষ্টপুষ্ট হোৱা, সেই বাবে তুমি মোতকৈ, নিজ
সন্তান সকলক কিয় অধিক আদৰ কৰিছা? ৩০ সেই কাৰণে ইস্রায়েলৰ
ঈশ্বৰ যিহোৱাই কৈছে, 'তোমাৰ বংশই আৰু তোমাৰ পিতৃৰ বংশই
মোৰ সাক্ষাতে সদায় থাকিব'; কিন্তু এতিয়া যিহোৱাই কৈছে, সেয়ে
মোৰ পৰা দূৰ হওঁক; কিয়নো মোক মৰ্যদা কৰোঁতা সকলক মই মৰ্যদা
কৰিম, কিন্তু মোক তুচ্ছ কৰোঁতা সকলক হেয়জ্ঞান কৰা হ'ব। ৩১
চোৱা, মই যি সময়ত তোমাৰ শক্তি আৰু তোমাৰ পিতৃবংশৰ শক্তি
নোহোৱা কৰিম, তেতিয়া তোমাৰ বংশত এজনো বৃদ্ধলোক নাথাকিব,
এনে সময় আহিছে। ৩২ মই যি ঠাইত বাস কৰোঁ, তুমি সেই ঠাইত
অমঙ্গল দেখিবা৷ কিন্তু ঈশ্বৰে ইস্রায়েলক দিয়া মঙ্গলৰ অৰ্থে তোমাৰ
বংশত কেতিয়াও কোনো বৃদ্ধ নহ'ব। ৩৩ আৰু মই মোৰ যজ্ঞ-বেদীৰ
পৰা তোমাৰ বংশৰ কেৱল এজনক দূৰ নকৰিম, সি তোমাৰ চকু
দুৰ্ব্বল কৰিবলৈ আৰু তোমাৰ মনত বেজাৰ জন্মাবলৈহে থাকিব আৰু
তোমাৰ বংশত জন্ম গ্ৰহণ কৰা সকলো লোকৰ যৌৱন অৱস্থাতে মৃত্যু
হ'ব। ৩৪ ইয়াৰ চিন স্বৰূপে তোমাৰ দুজন পুত্ৰ হফনী আৰু পীনহচলৈ
এইদৰে ঘটিব, সেয়ে সিহঁত দুয়োৰে একে দিনাই মৃত্যু হ'ব। ৩৫
আৰু মই নিজৰ কাৰণে এজন বিশ্বাসী পুৰোহিত প্ৰস্তুত কৰিম; তেওঁ
মই ভবাৰ দৰে আৰু মোৰ ইচ্ছাৰ দৰে কাৰ্য কৰিব; আৰু মই তেওঁৰ
কাৰণে এক চিৰস্থায়ী গৃহ স্থাপন কৰিম; তেওঁ সদায় মোৰ অভিষিক্ত
ৰজাৰ সন্মুখত অহা-যোৱা কৰিব। ৩৬ আৰু তোমাৰ বংশৰ মাজৰ
অৱশিষ্ট থকা প্ৰতিজনে আহি এডোখৰ ৰূপ আৰু এটা পিঠাৰ কাৰণে
তেওঁৰ আগত প্ৰণিপাত কৰি ক'ব, বিনয় কৰোঁ, মই যেন এডোখৰ
পিঠা খাবলৈ পাওঁ, সেই বাবে, অনুগ্ৰহ কৰি কোনো পুৰোহিত পদৰ
বাবে মোক নিযুক্তি দিয়ক৷"

৩ চমূৱেলে এলীৰ তত্ত্বাৱধানত যিহোৱাৰ পৰিচৰ্যা কৰি আছিল।
সেই সময়ত যিহোৱাৰ বাক্য দুৰ্ল্লভ আছিল; আৰু সঘনাই যিহোৱাৰ
দৰ্শন পোৱা সম্ভৱ নাছিল। ২ সেই সময়ত এলীৰ চকু দুৰ্ব্বল হোৱাত,
তেওঁ ভালদৰে মনিব নোৱাৰিছিল; সেয়ে তেওঁ নিজৰ বিচনাত শুই
থাকিছিল। ৩ ঈশ্বৰৰ নিয়ম-চন্দুক থকা যিহোৱাৰ মন্দিৰত ঈশ্বৰীয়
প্ৰদীপ নুমুউৱাৰ পূৰ্বতে চমূৱেলে শুব লৈছিল৷ ৪ সেই সময়তে
যিহোৱাই চমূৱেলক মাতিলে; তাতে তেওঁ উত্তৰ দি ক'লে, "মই ইয়াতে
আছোঁ।" ৫ মাত শুনাৰ লগে লগে, তেওঁ এলীৰ ওচৰলৈ দৌৰি গৈ
ক'লে, "আপুনি মোক মাতিছিল, সেয়ে মই ইয়াতে আছোঁ।" তেতিয়া
তেওঁ ক'লে, "মই মতা নাই; তুমি শুই থাকা গৈ;" তেতিয়া তেওঁ গৈ শুই
থাকিল। ৬ পাছত যিহোৱাই পুনৰায় মাতিলে, "হে চমূৱেল;" তেতিয়া
চমূৱেলে উঠি এলীৰ ওচৰলৈ গৈ ক'লে, "মই উপস্থিত আছোঁ; আপুনি
মোক কিয় মাতিছিল? তেওঁ ক'লে, "বোপা, মই মাতা নাই; তুমি
শুই থাকা গৈ।" ৭ সেই সময়লৈকে যিহোৱাৰ মাত শুনাৰ অভিজ্ঞতা
চমূৱেলৰ নাছিল, আৰু তেওঁৰ ওচৰত যিহোৱাৰ বাক্যও প্ৰকাশিত
হোৱা নাছিল। ৮ পাছত যিহোৱাই তৃতীয়বাৰ চমূৱেলক মাতিলে।
তেতিয়া তেওঁ উঠি এলীৰ ওচৰলৈ গৈ ক'লে, "মই উপস্থিত আছোঁ;
কাৰণ আপুনি মোক মাতিছে।" ৯ তেতিয়া যিহোৱাই যে তেওঁক
মাতিছে, এই কথা এলীয়ে বুজি পালে আৰু চমূৱেলক ক'লে, "তুমি
গৈ শুই থাকা; যদি তেওঁ তোমাক মাতে, তেন্তে ক'বা, 'হে যিহোৱা,
কওক, কিয়নো আপোনাৰ দাসে শুনিছে'।" তাৰ পাছত চমূৱেল গৈ
নিজ ঠাইত শুই থাকিল। ১০ পুনৰ যিহোৱাই আগৰ দৰে আহি থিয়
হৈ তেওঁক মাতিলে, "চমূৱেল, চমূৱেল।" তেতিয়া চমূৱেলে উত্তৰ দি
ক'লে, "কওক, আপোনাৰ দাসে শুনি আছে।" ১১ তেতিয়া যিহোৱাই
চমূৱেলক ক'লে, "চোৱা, মই ইস্ৰায়েলৰ মাজত এনে এক কৰ্ম কৰিম;
সেই বিষয়ে যি জনে শুনিব, সেই সকলোৰে নোম শিয়ৰি উঠিব। ১২
মই এলী আৰু তেওঁৰ বংশৰ বিষয়ে যি যি কৈছিলোঁ, সেই সকলোকে
প্ৰথমৰ পৰা শেষলৈকে সিদ্ধ কৰিম। ১৩ কাৰণ মই তেওঁক ক'লোঁ,
'তেওঁ যিবোৰ অপৰাধৰ কথা জানিছিল, তাৰ বাবে মই সদাকাললৈকে

তেওঁৰ বংশক দণ্ড দিম, কাৰণ তেওঁৰ সন্তানসকলে নিজকে অভিশপ্ত
কৰা সত্বেও তেওঁলোকক বাধা দিয়া নাই'। ১৪ সেই কাৰণে, এলীৰ
বংশলৈ মই শপত খালোঁ যে, এলীৰ বংশই যি অপৰাধ কৰিলে, তাক
বলিদান কি নৈবেদ্যৰ দ্বাৰাই কেতিয়াও মোচন কৰা নহ'ব।" ১৫ তাৰ
পাছত চমূৱেলে ৰাতিপুৱালৈকে শুই থাকিল, আৰু পুৱা উঠি যিহোৱাৰ
গৃহৰ দুৱাৰবোৰ মেলি দিলে, কিন্তু এলীৰ আগত সেই দৰ্শনৰ কথা
জনাবলৈ ভয় কৰিলে। ১৬ এলীয়ে চমূৱেলক মাতি ক'লে, "মোৰ
বোপা চমূৱেল।" তেতিয়া চমূৱেলে ক'লে, "মই ইয়াতে আছোঁ।" ১৭
তেতিয়া এলীয়ে সুধিলে, "যিহোৱাই তোমাক কি ক'লে? মই বিনয়
কৰোঁ, তুমি মোৰ পৰা একো নুলুকুৱাবা; ঈশ্বৰে তোমাক যি কথা
ক'লে, তাৰ কোনো কথা যদি মোৰ পৰা গোপনে ৰাখা, তেন্তে তেওঁ
তোমাক অধিক দণ্ড দিব।" ১৮ তেতিয়া চমূৱেলে তেওঁৰ আগত সকলো
কথা ক'লে, তেওঁৰ পৰা কোনো এটা কথাও গোপনে নাৰাখিলে।
সেয়ে এলীয়ে ক'লে, "তেওঁ যিহোৱা; তেওঁৰ দৃষ্টিত যি ভাল, তাকেই
কৰক।" ১৯ চমূৱেল ডাঙৰ হৈ অহাৰ পাছত, যিহোৱা তেওঁৰ সঙ্গী
হ'ল, আৰু যিহোৱাৰ ভৱিষ্যত বাণী এটাও বিফলে যাব নিদিলে। ২০
তাতে চমূৱেল যে যিহোৱাৰ ভাববাদী হ'বৰ অৰ্থে বিশ্বাসৰ পাত্ৰ হৈছে,
সেই বিষয়ে দানৰ পৰা বেৰ-চেবালৈকে গোটেই ইস্ৰায়েলে জানিলে।
২১ যিহোৱাই পুনৰ তেওঁক চীলোত দৰ্শন দিলে; কিয়নো যিহোৱাই
চীলোত চমূৱেলৰ আগত বাক্যৰ দ্বাৰাই নিজকে প্ৰকাশ কৰিছিল। আৰু
গোটেই ইস্ৰায়েলৰ ওচৰলৈ চমূৱেলৰ বাক্য আহিছিল।

**4** সেই সময়ত ইস্ৰায়েলে যুদ্ধৰ অৰ্থে পলেষ্টীয়াসকলৰ বিৰুদ্ধে ওলাই
গৈ এবেন-এজৰৰ ওচৰত ছাউনি পাতিলে, আৰু পলেষ্টীয়াসকলে
অফেকত ছাউনি পাতিলে। ২ পাছত পলেষ্টীয়াসকলে ইস্ৰায়েলৰ বিৰুদ্ধে
যুদ্ধ কৰোঁতে পলেষ্টীয়াসকলৰ হাতত ইস্ৰায়েলসকল পৰাস্ত হ'ল; আৰু
সেই যুদ্ধ-ক্ষেত্ৰত ইস্ৰায়েলৰ সৈন্য সমূহৰ প্ৰায় চাৰি হাজাৰ লোকক
তেওঁলোকে বধ কৰিলে। ৩ পাছত লোকসলক ছাউনিলৈ ঘূৰি আহোতে,
ইস্ৰায়েলৰ বৃদ্ধলোক সকলে ক'লে, "যিহোৱাই পলেষ্টীয়াসকলৰ হাতত
আজি আমাক কিয় পৰাস্ত হবলৈ এৰি দিলে? এতিয়া ব'লা, চীলোৰ

পৰা আমি যিহোৱাৰ সাক্ষ্য নিয়ম-চন্দুক আনোগৈ, তেতিয়া সেই
নিয়ম-চন্দুক আমাৰ লগত থকিলে, সেয়াই শত্ৰুৰ শক্তিৰ পৰা আমাক
ৰক্ষা কৰিব।" ৪ সেয়েহে লোকসকলে চীলোলৈ মানুহ পঠিয়াই,
কৰূব দুটাৰ মাজত বসতি কৰা বাহিনীসকলৰ যিহোৱাৰ নিয়ম-চন্দুক
অনালে। সেই সময়ত এলীৰ দুজন পুত্ৰ হফনী আৰু পীনহচ সেই
ঠাইত যিহোৱাৰ নিয়ম-চন্দুকৰ লগত আছিল। ৫ যিহোৱাৰ নিয়ম-
চন্দুক ছাউনিলৈ অনাৰ পাছত, ইস্ৰায়েলৰ সকলো লোকে এনেদৰে
মহাধ্বনি কৰিলে যে, পৃথিৱীও কঁপিবলৈ ধৰিলে। ৬ পলেষ্টীয়াসকলে
সেই মহাধ্বনিৰ শব্দ শুনি ক'লে, "ইব্ৰীয়াসকলৰ ছাউনিত এনে
মহাধ্বনি কিয় হৈছে?" এইদৰে যিহোৱাৰ নিয়ম-চন্দুক ইস্ৰায়েলৰ
ছাউনিলৈ অনা হ'ল বুলি তেওঁলোকে উপলব্ধি কৰিলে৷ ৭ তেতিয়া
পলেষ্টীয়াসকলৰ ভয় লাগিল আৰু তেওঁলোকে ক'লে, "ছাউনিলৈ নিশ্চয়
ঈশ্বৰ আহিল৷" তেওঁলোকে পুনৰ ক'লে, "আমাৰ এতিয়া সন্তাপ হ'ব;
কিয়নো ইয়াৰ পূৰ্বতে কেতিয়াও এনেকুৱা হোৱা নাই। ৮ আমাৰ
এতিয়া সন্তাপ হ'ব; সেই পৰাক্ৰমী ঈশ্বৰৰ শক্তিৰ পৰা আমাক
কোনে ৰক্ষা কৰিব? এইজনেই সেই ঈশ্বৰ, যিজনে অৰণ্যৰ মাজত
বিভিন্ন প্ৰকাৰ উপদ্ৰৱেৰে মিচৰীয়াসকলক আঘাত কৰিছিল। ৯ হে
পলেষ্টীয়াসকল, ইব্ৰীয়াসকল যেনেকৈ তোমালোকৰ অধীনত আছিল,
তেনেকৈ তোমালোক তেওঁলোকৰ অধীনত যেন নহোৱা, সেইবাবে
তোমালোক বলৱান হোৱা আৰু পুৰুষত্ব দেখুউৱা; পুৰুষত্ব দেখুৱাই
যুদ্ধ কৰা।" ১০ তাৰ পাছত পলেষ্টীয়াসকলে যুদ্ধ কৰোঁতে, ইস্ৰায়েলৰ
লোকসকল পৰাজিত হৈ প্ৰতিজন নিজ নিজ তম্বুলৈ পলাল; তাতে এনে
মহা-সংহাৰ হ'ল যে, ইস্ৰায়েলৰ মাজত ত্ৰিশহাজাৰ পদাতিক লোকৰ
মৃত্যু হ'ল। ১১ আৰু ঈশ্বৰৰ নিয়ম-চন্দুক শত্ৰুৰ হাতত পৰিল, আৰু
এলীৰ দুজন পুতেক হফনী আৰু পীনহচক বধ কৰা হ'ল। ১২ এজন
বিন্যামীনীয়া মানুহে সৈন্যৰ মাজৰ পৰা দৌৰি গৈ, একে দিনাই চীলোহ
পালে; তাৰ কাপোৰ ফটা আছিল আৰু মুৰত মাটি লাগি আছিল। ১৩ সি
অহা সময়ত বাটৰ কাষত এলীয়ে নিজৰ আসনত বহি বাট চাই আছিল;
কিয়নো যিহোৱাৰ নিয়ম-চন্দুকৰ বাবে তেওঁৰ মন ব্যাকুল হৈ আছিল।

তাৰ পাছত সেই মানুহজনে নগৰত সোমাই সকলো সম্বাদ দিয়াত
নগৰৰ সকলো লোকে চিঞৰিব ধৰিলে। ১৪ এলীয়ে সেই চিঞৰৰ শব্দ
শুনি সুধিলে, “এই কোলাহলৰ কাৰণ কি?” তেতিয়া সেই মানুহজনে
বেগাই আহি এলীক সকলো বিষয় জনালে। ১৫ সেই সময়ত এলী
আঠান্নব্বৈ বছৰ বয়সীয়া বৃদ্ধ আছিল; আৰু তেওঁ দৃষ্টিহীন হোৱাত,
একো দেখা নপালে। ১৬ মানুহ জনে এলীক ক'লে, “মই আজি সৈন্য
সমূহৰ ওচৰৰ পৰা পলাই আহিলোঁ।” তেতিয়া এলীয়ে সুধিলে, “বোপা,
তাত কি হৈ আছে?” ১৭ বাতৰি লৈ অহা মানুহজনে উত্তৰ দি ক'লে,
“পলেষ্টীয়াসকলৰ সন্মুখৰ পৰা ইস্ৰায়েলীসকল পলাইছে আৰু আমাৰ
লোকসকল পৰাজিত হ'ল৷ আপোনাৰ দুজন পুত্ৰ হফনী আৰু পীনহচৰো
মৃত্যু হ'ল, আৰু ঈশ্বৰৰ নিয়ম-চন্দুক শক্ৰুৱে লৈ গ'ল।” ১৮ সেই
মানুহজনে ঈশ্বৰৰ নিয়ম-চন্দুকৰ নাম লোৱাৰ লগে লগে এলী দুৱাৰৰ
কাষত বহি থকা আসনৰ পৰা লুটিখাই পৰিল আৰু ডিঙি ভাঙি যোৱাত
তেওঁৰ মৃত্যু হ'ল; কিয়নো তেওঁ বৃদ্ধ আৰু ভাৰযুক্ত পুৰুষ আছিল।
তেওঁ চল্লিশ বছৰলৈকে ইস্ৰায়েলৰ বিচাৰ কৰিছিল। ১৯ সেই সময়ত
তেওঁৰ পো-বোৱাৰী পীনহচৰ ভাৰ্যা গৰ্ভৱতী আছিল, তেওঁৰ সন্তান
প্ৰসৱৰ সময় হৈছিল৷ যিহোৱাৰ নিয়ম-চন্দুক শক্ৰৰ হাতত যোৱা আৰু
নিজৰ শহুৰ ও স্বামীৰ মৃত্যুৰ সম্বাদ শুনাৰ লগে লগে তেওঁৰ প্ৰসৱ
বেদনা অস্থিৰ হৈ তেওঁ আঠুকাঢ়ি সন্তান প্ৰসৱ কৰিলে। ২০ তেওঁৰ
প্ৰসৱ বেদনা দেখি, তেওঁৰ কাষত থিয় হৈ থকা মহিলাসকলে ক'লে,
“ভয় নকৰিবা; তুমি এটি পুত্ৰ জন্ম দিলা।” কিন্তু তেওঁ মুখেৰে একো
উত্তৰ নিদিলে আৰু তেওঁলোকে কোৱা কথালৈ মন নিদিলে। ২১ তেওঁ
সন্তানটিৰ নাম ঈখাবোদ ৰাখিলে আৰু ক'লে, “ইস্ৰায়েলৰ পৰা প্ৰতাপ
দূৰ কৰা হ'ল।” তেওঁৰ শহুৰ আৰু স্বামীৰ বাবেই ঈশ্বৰৰ নিয়ম-চন্দুক
আটক কৰি নিলে৷ ২২ তেওঁ পুনৰ ক'লে, “ইস্ৰায়েলৰ পৰা প্ৰতাপ দূৰ
কৰা হ'ল; কিয়নো ঈশ্বৰৰ নিয়ম-চন্দুক আটক কৰি নিলে।”

৫ পলেষ্টীয়াসকলে ঈশ্বৰৰ নিয়ম-চন্দুক আটক কৰি এবেন-এজৰৰ
পৰা অচ্‌দোদলৈ নিলে। ২ তাৰ পাছত পলেষ্টীয়াসকলে ঈশ্বৰৰ নিয়ম-
চন্দুক দাগোনৰ মন্দিৰলৈ নিলে আৰু দাগোনৰ মূৰ্তিৰ কাষত ৰাখিলে।

৩ পাছদিনা অচ্‌দোদৰ লোকসকলে ৰাতিপুৱাতে উঠি দেখিলে যে,
যিহোৱাৰ নিয়ম-চন্দুকৰ আগত দাগোনৰ মূৰ্তিটো তললৈ মুখ কৰি
মাটিত পৰি আছে; সেয়ে তেওঁলোকে দাগোনৰ মূৰ্তিক তুলি পুনৰ
নিজ ঠাইত ৰাখিলে। ৪ তাৰ পাছদিনাও তেওঁলোকে পুৱাতে উঠি
দেখিলে যে, যিহোৱাৰ চন্দুকৰ সন্মুখত দাগোন মাটিত উবুৰি হৈ
পৰি আছে, আৰু দাগোনৰ মুৰটো আৰু হাত দুখন কটাহৈ দুৱাৰ
দলিত পৰি আছে; কেৱল তাৰ গাডোখৰ মাথোন অৱশিষ্ট থাকিল। ৫
সেই কাৰণে দাগোনৰ পুৰোহিত আদি কৰি যিমান লোক দাগোনৰ
মন্দিৰত সোমায়, তেওঁলোকৰ মাজৰ কোনেও অচ্‌দোদত থকা
দাগোনৰ দুৱাৰ ডলিত আজি পৰ্য্যন্ত ভৰি নিদিয়ে। ৬ অচ্‌দোদীয়া
লোক সকলৰ ওপৰত যিহোৱাৰ হাত ভাৰযুক্ত আছিল, আৰু তেওঁ
তেওঁলোকক ধংস কৰিলে, আৰু অচদোদৰ সীমালৈকে অনেক লোকক
বিহ ফোঁহোৰাৰে আঘাত কৰিলে। ৭ অচ্‌দোদীয়া সকলে তাকে
দেখি ক'লে, "ইস্ৰায়েলৰ ঈশ্বৰৰ নিয়ম-চন্দুক আমাৰ ওচৰত থাকিব
নোৱাৰে; কিয়নো আমাৰ ওপৰত আৰু আমাৰ দেৱতা দাগোনৰো
ওপৰত তেওঁৰ হাত ক্লেশদায়ক হৈছে।" ৮ এই হেতুকে তেওঁলোকে
মানুহ পঠাই পলেষ্টীয়াসকলৰ সকলো অধিপতিক নিজৰ ওচৰলৈ মাতি
ক'লে, "ইস্ৰায়েলৰ ঈশ্বৰৰ নিয়ম-চন্দুকৰ বিষয়ে আমি কি কৰিম?"
তেওঁলোকে ক'লে, "ইস্ৰায়েলৰ ঈশ্বৰৰ নিয়ম-চন্দুক গাতলৈ নিয়া
হওঁক।" তেতিয়া তেওঁলোকে ইস্ৰায়েলৰ ঈশ্বৰৰ নিয়ম-চন্দুক সেই
ঠাইলৈ লৈ গ'ল। ৯ কিন্তু এইদৰে লৈ যোৱাৰ পাছত যিহোৱাৰ হাত
নগৰ খনৰ বিৰুদ্ধে অতিশয় ত্ৰাসযুক্ত হ'ল; তেওঁ নগৰখনৰ বৰ কি
সৰু সকলোকে আঘাত কৰাত, তেওঁলোকৰ গাত বিহ ফোঁহোৰা
ওলাল। ১০ সেয়ে, তেওঁলোকে যিহোৱাৰ চন্দুক ইক্ৰোণলৈ পঠালে।
কিন্তু যিহোৱাৰ চন্দুক ইক্ৰোণলৈ অহাৰ পাছত, ইক্ৰোণীয়া সকলে
চিঞৰি ক'লে, "আমাৰ মানুহবোৰক বধ কৰিবৰ বাবে তেওঁলোকে
আমাৰ ওচৰলৈ ইস্ৰায়েলৰ ঈশ্বৰৰ নিয়ম-চন্দুক আনিলে।" ১১ তাকে
দেখি তেওঁলোকে মানুহ পঠাই পলেষ্টীয়াসকলৰ সকলো অধিপতিক
গোট খুৱাই ক'লে, "আমাৰ লোকসকলক যেন বধ নকৰে, তাৰ বাবে

ইস্ৰায়েলৰ ঈশ্বৰৰ নিয়ম-চন্দুক ইয়াৰ পৰা পঠাই দিয়ক; নিজৰ ঠাইলৈ
ইয়াক ঘূৰাই পঠাওঁক।” কিয়নো নগৰৰ সকলো ফালে মহামাৰীৰ ভয়ত
লোকসকল ব্যাকুল হৈছিল; কাৰণ ঈশ্বৰৰ শাস্তি দিয়া হাত তেওঁলোকৰ
বিৰুদ্ধে উঠিছিল। ১২ যি লোকসকৰ মৃত্যু হোৱা নাছিল, তেওঁলোক বিহ
ফোঁহোৰাৰে পীড়িত হৈছিল; যাৰ ফলত নগৰৰ লোকসকলৰ আৰ্তনাদ
আকাশলৈকে উঠিল।

৬ যিহোৱাৰ নিয়ম-চন্দুক পলেষ্টীয়াসকলৰ দেশত সাত মাহলৈকে
আছিল। ২ পলেষ্টীয়াসকলে পুৰোহিত আৰু মঙ্গল চোৱা সকলক
মাতি আনি ক’লে, “আমি যিহোৱাৰ নিয়ম-চন্দুকৰ বিষয়ে কি কৰিম?
কওকচোন, আমি ইয়াক নিজৰ দেশলৈ কেনেকৈ পঠাম?” ৩
তেওঁলোকে ক’লে, “তোমালোকে বিনা উপহাৰেৰে ইস্ৰায়েলৰ ঈশ্বৰৰ
নিয়ম-চন্দুক নপঠাবা, কিন্তু যি কোনো উপায়ে দোষাৰ্থক উপহাৰ
তেওঁৰ তালৈ পঠাই দিয়া, তেতিয়াহে তোমালোক সুস্থ হ’বা, আৰু তেওঁৰ
হাত তোমালোকৰ পৰা কিয় দূৰ হোৱা নাই, তেতিয়াহে তোমালোকে
বুজিবা।” ৪ তেওঁলোকে সুধিলে, “ামি তেওঁলৈ কি দোষাৰ্থক
উপহাৰ পঠাম?” তেওঁলোকে উত্তৰ দি ক’লে, “তোমালোকে পাঁচটা
সোণৰ বিহ ফোঁহোৰা আকৃতিৰে সজা আৰু সোণৰ পাঁচোটা নিগনি দি
পঠোৱা; পাঁচ নম্বৰটো পলেষ্টীয়াসকলৰ পাঁচ জন অধিপতিক বুজায়৷
কাৰণ, তোমালোক আৰু তোমালোকৰ অধিপতিসকল সেই একেই
মহামাৰীত আক্ৰান্ত। ৫ এই হেতুকে তোমালোকে তোমালোকৰ বিহ
ফোঁহোৰাৰ আৰু দেশ বিনষ্ট কৰা নিগনি আকৃতিৰে মুৰ্ত্তি নিৰ্ম্মাণ কৰা,
আৰু ইস্ৰায়েলৰ ঈশ্বৰক গৌৰৱান্বিত কৰা৷ তেওঁ তোমালোকৰ পৰা
আৰু তোমালোকৰ দেৱতাবোৰৰ পৰা আৰু তোমালোকৰ দেশৰ পৰাও
হয়তো নিজৰ ক্ৰোধ তেওঁ দূৰ কৰিব। ৬ মিচৰীয়া লোক আৰু ফৰৌণ
ৰজাই যেনেকৈ তেওঁলোকৰ মন কঠিন কৰিছিল তেনেকৈ তোমালোকে
কিয় মন কঠিন কৰিবা? তেওঁলোকৰ মাজত যেতিয়া তেওঁ অদ্ভুত কাৰ্য
কৰিছিল, তেতিয়া জানো তেওঁলোকক এৰি দিয়া নাছিল? তাৰ পাছত
তেওঁলোক গুছি গ’ল৷ ৭ এই হেতুকে এতিয়া কাঠ লৈ এখন নতুন ৰথ
সাজা আৰু কান্ধত যুৱলি নোলোৱা দুজনী খীৰঁতী গাই গৰু আনি ৰথত

লগোৱা আৰু সিহঁতৰ পোৱালি সিহঁতৰ পৰা আঁতৰাই ঘৰলৈ লৈ যাবা।
৮ তাৰ পাছত যিহোৱাৰ নিয়ম-চন্দুক সেই ৰথৰ ওপৰত তুলি দিবা;
আৰু যি সোণৰ বস্তুবোৰ দোষাৰ্থক উপহাৰৰ অৰ্থে প্ৰস্তুত কৰিছিলা,
সেইবোৰ এটা বাকচত ভৰাই নিয়ম-চন্দুকৰ কাষত থৈ পঠিয়াই দিবা
আৰু সেই নিয়ম-চন্দুকক নিজ বাটে যাব দিবা। ৯ তাৰ পাছত লক্ষ্য
কৰিবা, সেই ৰথ যদি নিজে বৈৎচেমচ নগৰলৈ যায়, তেতিয়া যিহোৱাই
যে এনে মহামাৰী ঘটালে সেই বিষয়ে বুজিবা; আৰু যদি নাযায়, তেন্তে
আমাক প্ৰহাৰ কৰা জন তেওঁ নহয় বুলি আমি জানিম; কিন্তু ইয়াৰ
পৰিৱৰ্ত্তে ঘটনাক্ৰমেহে আমালৈ এই সকলো ঘটিল।" ১০ তাৰ পাছত
লোকসকলে তেওঁলোকক যি দৰে কৈছিল, সেইদৰেই কৰিলে; খীৰঁতী
গাই গৰু আনি ৰথত লগালে, আৰু সিহঁতৰ পোৱালি দুটাক ঘৰত
বান্ধি হ'ল। ১১ পাছত সিহঁতে যিহোৱাৰ নিয়ম-চন্দুক, সোণৰ নিগনি
আৰু বিহ ফোঁহোৰাৰ আকৃতিৰে সজা বস্তুবোৰ বাকচত ভৰাই ৰথৰ
ওপৰত তুলি দিলে। ১২ তাৰ পাছত সেই গৰু দুজনীয়ে বৈৎচেমচৰ
দিশে হেম্বেলিয়াই হেম্বেলিয়াই গ'ল; সিহঁতে সোঁ-হাতে কি বাওঁ-
হাতে নুঘূৰিলে; আৰু পলেষ্টীয়াসলকৰ অধিপতিসকলে বৈৎচেমচৰ
সীমালৈকে সিহঁতৰ পাছে পাছে গ'ল। ১৩ সেই সময়ত বৈৎচেমচ
নিবাসীসকলে উপত্যকাত ঘেহুঁধান দাই থাকোঁতে, ওপৰলৈ মুৰ-দাঙি
চাই নিয়ম-চন্দুকটো দেখি তেওঁলোকে আনন্দ কৰিলে। ১৪ ৰথখন
বৈৎচেমচ নিবাসী যিহোচূৱাৰ পথাৰ পালে আৰু যি ঠাইত ডাঙৰ শিল
এটা আছিল, সেই ঠাইতে ৰ'লহি৷ তাৰ পাছত তেওঁলোকে ৰথৰ কাঠ
ফালি, গৰু দুজনীক হোমৰ অৰ্থে যিহোৱাৰ উদ্দেশ্য উৎসৰ্গ কৰিলে।
১৫ লেবীয়াসকলে যিহোৱাৰ নিয়ম-চন্দুক আৰু তাৰ লগত সোণৰ বস্তু
থকা বাকচটো নমালে আৰু সেই ডাঙৰ শিলটোৰ ওপৰত ৰাখিলে।
বৈৎচেমচৰ লোকসকলে সেইদিনাই যিহোৱাৰ উদ্দেশ্যে হোমবলি
আৰু মঙ্গলাৰ্থক বলি উৎসৰ্গ কৰিলে। ১৬ পলেষ্টীয়াসকলৰ পাঁচজন
অধিপতিয়ে এই সকলো দেখিলে আৰু সেই দিনাই ইক্ৰোণলৈ উভটি
গ'ল। ১৭ যিহোৱাৰ উদ্দেশ্যে পলেষ্টীয়াসকলে দোষাৰ্থক উপহাৰ ৰূপে
পঠোৱা বিহ ফোঁহোৰাৰ আকৃতিৰে সজা সোণৰ বস্তুবোৰ, অচ্‌দোদৰ

অৰ্থে এটা, গাজাৰ অৰ্থে এটা, অস্কিলোনৰ অৰ্থে এটা, গাতৰ অৰ্থে এটা
আৰু ইক্ৰোণৰ অৰ্থে এটা আছিল৷ ১৮ আৰু গড়েৰে আবৃত হোৱা নগৰ
হওক বা গাওঁ হওক, পাঁচজন অধিপতিৰ অধীনত পলেষ্টীয়াসকলৰ
যিমান নগৰ আছিল, সিমান সোণৰ নিগনি আছিল; এই কথা যিহোৱাৰ
চন্দুক যিহৰ ওপৰত ৰখা হৈছিল, সেই মহা-শিল ইয়াৰ সাক্ষী হৈ ৰ'ল;
বৈৎচেমচীয়া যিহোচূৱাৰ পথাৰত সেই শিল আজিলৈকে আছে। ১৯
তেওঁ বৈৎচেমচৰ লোকসকলৰ মাজৰ কিছুমানক আঘাত কৰিলে;
কাৰণ তেওঁলোকে যিহোৱাৰ নিয়ম-চন্দুকলৈ চাইছিল; সেয়ে তেওঁ
সত্তৰজন মানুহক বধ কৰিছিল৷ যিহোৱাই কৰা মহা-প্ৰহাৰ দেখি
তেওঁলোকে বিলাপ কৰিলে। ২০ বৈৎচেমচৰ লোকসকলে ক'লে, "এই
পবিত্ৰ ঈশ্বৰ যিহোৱাৰ সন্মুখত কোনে থিয় হ'ব পাৰিব? আৰু তেওঁ
আমাৰ পৰা কাৰ ওচৰলৈ যাব?" ২১ তেওঁলোকে কিৰিয়ৎ-যিয়াৰীম-
নিবাসী লোকসকললৈ দূত পঠাই ক'লে, "পলেষ্টীয়াসকলে যিহোৱাৰ
নিয়ম-চন্দুক ওভোটাই আনিলে; তোমালোকে নামি আহি এই নিয়ম-
চন্দুক তোমালোকৰ ওচৰলৈ লৈ যোৱা।

**৭** তাৰ পাছত কিৰিয়ৎ-যিয়াৰীমৰ লোকসলকে আহি যিহোৱাৰ নিয়ম-
চন্দুক লৈ গ'ল আৰু পৰ্ব্বতত থকা অবীনাদবৰ ঘৰত ৰাখিলে। তাতে
তেওঁলোকে যিহোৱাৰ সেই নিয়ম-চন্দুক ৰাখিবৰ বাবে তেওঁৰ পুতেক
ইলিয়াজৰক পবিত্ৰ কৰিলে। ২ যিহোৱাৰ নিয়ম-চন্দুক কিৰিয়ৎ-
যিয়াৰীমত থাকোঁতে বহু সময় অৰ্থাৎ বিশবছৰ অতিবাহিত হ'ল,
আৰু ইস্ৰায়েলৰ আটাই বংশই যিহোৱাক অনুসৰণ কৰি চলিবৰ
ইচ্ছাৰে শোক কৰিলে। ৩ চমূৱেলে ইস্ৰায়েলৰ আটাই বংশক ক'লে,
"তোমালোকে যদি তোমালোকৰ সকলো চিত্তেৰে যিহোৱালৈ উভটি
আহা, আৰু তোমালোকৰ মাজৰ পৰা ভিন্ন দেশীয় দেৱতাবোৰ আৰু
অষ্টাৰেৎ দেৱীবোৰ দূৰ কৰা আৰু যিহোৱালৈ নিজৰ মন পৰিবৰ্তন কৰি
যদি কেৱল তেওঁৰেই সেৱা কৰা; তেনেহলে তেওঁ পলেষ্টীয়াসকলৰ
হাতৰ পৰা তোমালোকক উদ্ধাৰ কৰিব।" ৪ তেতিয়া ইস্ৰায়েলৰ
সন্তান সকলে বালদেৱতাবোৰ আৰু অষ্টাৰেৎ দেৱীবোৰো ত্যাগ কৰি
কেৱল যিহোৱাৰ সেৱা কৰিবলৈ ধৰিলে। ৫ তাৰ পাছত চমূৱেলে

ক'লে, "তোমালোকে গোটেই ইস্ৰায়েলক মিস্পাত গোটোৱা; সেই
ঠাইত মই তোমালোকৰ অৰ্থে যিহোৱাৰ আগত প্ৰাৰ্থনা কৰিম।" ৬
তেতিয়া তেওঁলোকে মিস্পাত গোট খালে আৰু পানী তুলি যিহোৱাৰ
আগত ঢালি দিলে। সেই দিনা লঘোন দি সেই ঠাইতে ক'লে, "আমি
যিহোৱাৰ বিৰুদ্ধে পাপ কৰিলোঁ।" এইদৰে চমূৱেলে মিস্পাত ইস্ৰায়েলৰ
সন্তান সকলৰ বিচাৰ কৰিলে। ৭ ফিলিষ্টীয়াসকলে ইস্ৰায়েলৰ সন্তান
সকল মিস্পাত গোট খোৱাৰ খবৰ পালে, আৰু পলেষ্টীয়াসকলৰ
অধিপতিসকলে ইস্ৰায়েলক আক্ৰমণ কৰিবলৈ আহিল; সেয়ে ইস্ৰায়েলৰ
সন্তান সকলে এই কথা শুনি ফিলিষ্টীয়াসকলৰ কাৰণে ভয় কৰিলে। ৮
তেতিয়া ইস্ৰায়েলৰ সন্তান সকলে চমূৱেলক ক'লে, "আমাৰ ঈশ্বৰ
যিহোৱাই পলেষ্টীয়াসকলৰ হাতৰ পৰা যেন আমাক উদ্ধাৰ কৰে,
এই কাৰণে আপুনি তেওঁৰ আগত আমাৰ অৰ্থে কাতৰোক্তি কৰিবলৈ
নেৰিব।" ৯ তেতিয়া চমূৱেলে পিয়াহ খোৱা মেৰ পোৱালি এটি লৈ
যিহোৱাৰ উদ্দেশ্যে হোমবলি উৎসৰ্গ কৰিলে আৰু চমূৱেলে ইস্ৰায়েলৰ
অৰ্থে যিহোৱাৰ আগত কাতৰোক্তি কৰিলে। তেতিয়া যিহোৱাই তেওঁক
উত্তৰ দিলে। ১০ চমূৱেলে হোমবলি উৎসৰ্গ কৰোঁতে, পলেষ্টীয়াসকলে
ইস্ৰায়েলক আক্ৰমণ কৰিবলৈ ওচৰ চাপি আহিছিল; কিন্তু সেইদিনা
যিহোৱাই ফিলিষ্টীয়া সকলৰ ওপৰত উচ্চ-ধ্বনিৰে মেঘ-গৰ্জ্জন কৰি
ব্যাকুল কৰিলে; তাতে তেওঁলোক ইস্ৰায়েলৰ সন্মুখত পতিত হ'ল। ১১
তেতিয়া ইস্ৰায়েলৰ লোক সকলে মিস্পাৰ পৰা ওলাই আহিল আৰু
পলেষ্টীয়াসকলক আঘাত কৰি তেওঁলোকৰ পাছে পাছে গৈ বৈৎ-কৰৰ
নামনিলৈকে খেদি গ'ল৷ ১২ তাৰ পাছত চমূৱেলে এটা শিল লৈ মিস্পা
আৰু চেনৰ মাজ ঠাইত স্থাপন কৰিলে; আৰু "এতিয়ালৈকে যিহোৱাই
আমাক সহায় কৰিলে" এইবুলি তাৰ নাম এবেন-এজৰ ৰাখিলে।
১৩ এইদৰে পলেষ্টীয়াসকল পৰাস্ত হ'ল আৰু ইস্ৰায়েলৰ অঞ্চললৈ
তেওঁলোক পুনৰ নাহিল। চমূৱেলৰ জীৱনৰ শেষলৈকে যিহোৱাৰ হাত
ফিলিষ্টীয়া সকলৰ অহিতে আছিল। ১৪ ইক্ৰোণৰ পৰা গাতলৈকে
যিবোৰ নগৰ পলেষ্টীয়াসকলে ইস্ৰায়েলৰ পৰা কাঢ়ি লৈছিল, সেইবোৰ
নগৰ পুনৰায় ইস্ৰায়েলৰ অধীন হ'ল; আৰু ইস্ৰায়েলে ফিলিষ্টীয়া সকলৰ

হাতৰ পৰা সেইবোৰ অঞ্চল উদ্ধাৰ কৰিলে। তাতে ইমোৰীয়া সকলৰ
লগত ইস্রায়েলৰ শান্তি স্থাপন হ'ল। ১৫ চমূৱেলে তেওঁৰ জীৱনৰ
শেষলৈকে ইস্রায়েলৰ বিচাৰ কৰিলে। ১৬ তেওঁ বছৰে বছৰে বৈৎএল,
গিলগল আৰু মিস্পালৈ যায় আৰু সেইবোৰ ঠাইত ইস্রায়েলৰ বিচাৰ
কৰে৷ ১৭ তাৰ পাছত তেওঁ ৰামালৈ ঘূৰি আহে, কাৰণ তাতেই তেওঁৰ
ঘৰ আছিল; আৰু সেই ঠাইতো তেওঁ ইস্রায়েলৰ বিচাৰ কৰে। আৰু
সেই ঠাইত তেওঁ যিহোৱাৰ উদ্দেশ্যে এটা যজ্ঞবেদী নিৰ্ম্মাণ কৰিলে।

**৮** চমূৱেল বৃদ্ধ হোৱাৰ পাছত, তেওঁৰ পুত্ৰ সকলক ইস্রায়েলৰ ওপৰত
তেওঁ বিচাৰকৰ্ত্তা নিযুক্ত কৰিলে। ২ তেওঁৰ প্ৰথম পুত্ৰৰ নাম যোৱেল,
দ্বিতীয় পুত্ৰৰ নাম অবিয়া আছিল; তেওঁলোকে বেৰ-চেবাত বিচাৰ
কৰিছিল। ৩ তেওঁৰ পুত্ৰসকল পিতৃৰ পথত চলা নাছিল, কিন্তু অসৎ
পথত চলিছিল। তেওঁলোকে ভেটী খাই অন্যায় বিচাৰ কৰিছিল৷ ৪ সেই
কাৰণে ইস্রায়েলৰ বৃদ্ধ লোকসকলে চমূৱেলক ল'গ ধৰিবলৈ ৰামালৈ
আহিল৷ ৫ তেওঁলোকে চমূৱেলক ক'লে, "চাওক, আপুনি বৃদ্ধ হৈছে,
আৰু আপোনাৰ পুত্ৰসকল আপোনাৰ পথত চলা নাই, সেয়েহে অন্যান্য
দেশৰ দৰে আমাৰো বিচাৰ কৰিবলৈ আপুনি আমাৰ ওপৰত এজন
ৰজা নিযুক্ত কৰি দিয়ক।" ৬ যি সময়ত তেওঁলোকে কৈছিল, "আমাৰ
বিচাৰ কৰিবলৈ আমাক এজন ৰজা দিয়ক" সেই সময়ত চমূৱেলে
অসন্তুষ্ট হৈ যিহোৱাৰ আগত প্ৰাৰ্থনা কৰিলে৷ ৭ যিহোৱাই চমূৱেলক
ক'লে, "এইলোক সকলে তোমাৰ আগত যি যি কথা কৈছে, সেই
সকলো কথা শুনা; কিয়নো সিহঁতে যে তোমাক অগ্ৰাহ্য কৰিলে, এনে
নহয়, কিন্তু মই যেন সিহঁতৰ ওপৰত ৰাজত্ব নকৰোঁ, এই আশয়েৰে
মোকেই অগ্ৰাহ্য কৰিলে। ৮ মই মিচৰৰ পৰা সিহঁতক বাহিৰ কৰি
অনা দিনৰে পৰা আজিলৈকে সিহঁতে মোলৈ যেনেকৈ ব্যৱহাৰ কৰি
আহিছে, অৰ্থাৎ মোক ত্যাগ কৰি অন্যান্য দেৱতাবোৰক পূজা কৰি
আহিছে, তেনেকৈ তোমালৈকো একে ব্যৱহাৰ কৰিছে। ৯ সেয়েহে,
এতিয়া সিহঁতৰ কথা শুনা; কিন্তু নম্ৰভাৱে সিহঁতক সাৱধান কৰা আৰু
সিহঁতৰ ওপৰত যি ৰজাই ৰাজত্ব কৰিব, সেই ৰজাৰ নিয়ম প্ৰণালী
সিহঁতক বুজাই দিয়া।" ১০ তাৰ পাছত যি লোকসকলে চমূৱেলক

ৰজা খুজিছিল, তেওঁলোকৰ আগত তেওঁ যিহোৱাৰ সেই সকলো কথা
জনালে। ১১ আৰু ক'লে, “তোমালোকৰ ওপৰত যি ৰজাই ৰাজত্ব কৰিব
তেওঁৰ নিয়ম প্ৰণালী এইদৰে হ'ব; তোমালোকৰ পুত্ৰ সকলক নিজৰ
ৰথ আৰু ঘোঁৰাৰ ওপৰত নিযুক্ত কৰিব, আৰু সিহঁত তেওঁৰ ৰথৰ আগে
আগে দৌৰি যাব; ১২ আৰু তেওঁ সিহঁতক নিজৰ সহস্ৰপতি পঞ্চাশপতি
পাতিব; আৰু নিজৰ মাটিত হাল বাবলৈ, শস্য দাবলৈ, আৰু যুদ্ধৰ অস্ত্ৰ
ও ৰথৰ সঁজুলি গঢ়াবলৈ নিযুক্ত কৰি ল'ব। ১৩ তেওঁ আপোনালোকৰ
জীয়ৰী সকলকো সুগন্ধি দ্ৰব্য প্ৰস্তুত কৰিবলৈ, ৰান্ধিবলৈ, আৰু চুলাত
সেকি খাদ্য বনাবলৈ ব্যৱহাৰ কৰিব। ১৪ তেওঁ উত্তম শস্যক্ষেত্ৰ,
দ্ৰাক্ষাবাৰী, আৰু জিত গছৰ বাগিছাবোৰ তোমালোকৰ পৰা লৈ নিজ
দাস সকলক দিব। ১৫ তোমালোকৰ শস্যৰ আৰু দ্ৰাক্ষাবাৰীৰ ফলৰ
দহ ভাগৰ এভাগ লৈ নিজৰ কৰ্মচাৰী আৰু দাস সকলক দিব। ১৬ তেওঁ
তোমালোকৰ পুৰুষ আৰু মহিলা দাস সকলক ল'ব আৰু সকলোতকৈ
উত্তম ডেকা পুৰুষসকলক আৰু গাধবোৰকো লৈ নিজৰ কামত লগাব।
১৭ তেওঁ তোমালোকৰ মেৰ-ছাগ আৰু ছাগলীবোৰৰ দহ ভাগৰ এভাগ
ল'ব; আৰু তোমালোক তেওঁৰ বন্দী হ'বা। ১৮ সেই দিনা তোমালোকে
নিজে মনোনীত কৰি লোৱা ৰজাৰ কাৰণে কান্দিবা; কিন্তু যিহোৱাই
সেইদিনা তোমালোকক উত্তৰ নিদিব।” ১৯ কিন্তু লোকসকলে চমূৱেলৰ
কথা নামানিলে; তেওঁলোকে তেওঁক ক'লে, “নহয় নহয়! আমাৰ
ওপৰত এজন ৰজা হবই লাগিব। ২০ আমি আন জাতিৰ দৰে হ'বলৈ,
আমাৰ বিচাৰ কৰিবলৈ আৰু আমাৰ আগে আগে গৈ আমাৰ পক্ষে
যুদ্ধ কৰিবলৈ, আমাক এজন ৰজা লাগে।” ২১ তাৰ পাছত চমূৱেলে
লোকসকলৰ সকলো কথা শুনি পুনৰ সেই কথা যিহোৱাক জনালে।
২২ যিহোৱাই চমূৱেলক ক'লে, “তুমি লোকসকলৰ কথা শুনা আৰু
তেওঁলোকৰ ওপৰত এজন ৰজা পাতি দিয়া।” তাৰ পাছত চমূৱেলে
ইস্ৰায়েলৰ লোকসকলক ক'লে, “প্ৰত্যেক জনে নিজৰ নিজৰ নগৰলৈ
যাবই লাগিব।”

**৯** সেই সময়ত বিন্যামীন ফৈদত এজন প্ৰভাৱশালী ব্যক্তি আছিল,
তেওঁৰ নাম আছিল কীচ, তেওঁ অবীয়েলৰ পুত্ৰ, অবীয়েল জেৰৰ পুত্ৰ,

জেৰৰ বখোৰতৰ পুত্ৰ, বাখোৰত আফিয়াৰ পুত্ৰ আছিল, এওঁলোক
বিন্যামীন ফৈদৰ লোক আছিল। ২ কীচৰ এজন সুদৰ্শন পুত্ৰ আছিল,
তেওঁৰ নাম আছিল চৌল, ইস্ৰায়েলৰ সন্তান সকলৰ মাজত তেওঁতকৈ
সুদৰ্শন কোনো পুৰুষ নাছিল আৰু আন সকলো লোকতকৈ তেওঁ ওখ
আছিল। ৩ এদিন চৌলৰ পিতৃ কীচৰ গাধবোৰ হেৰাল। তেতিয়া কীচে
নিজ পুত্ৰ চৌলক ক'লে, "তুমি দাস সকলৰ মাজৰ এজনক লগত লৈ
গাধবোৰ বিচাৰি যোৱা।" ৪ সেয়ে চৌলে পাহাৰীয়া দেশ ইফ্ৰয়িমৰ
মাজেৰে পাৰ হৈ চালিচা প্ৰদেশৰ মাজেৰে গ'ল; কিন্তু গাধবোৰ তাত
নাছিল। তাৰ পাছত তেওঁলোকে চালীম প্ৰদেশৰ মাজেৰে গ'ল, কিন্তু
তাতো নাছিল, তাৰ পাছত বিন্যামীন প্ৰদেশৰ মাজেৰে গ'ল, কিন্তু
তেওঁলোকে তাতো বিচাৰি নাপালে। ৫ যেতিয়া তেওঁলোক চুফ প্ৰদেশ
পালে, চৌলে নিজৰ লগত যোৱা দাসক ক'লে, "আহাঁ, আমি উভটি
যাওঁ, হয়তো মোৰ পিতৃয়ে গাধবোৰৰ চিন্তা কৰিবলৈ বাদ দি আমাৰ
বাবেহে চিন্তা কৰিবলৈ আৰম্ভ কৰিব।" ৬ কিন্তু দাস জনে তেওঁক
ক'লে, "শুনক! এই নগৰত ঈশ্বৰ বিশ্বাসী এজন লোক আছে; তেওঁ
সন্মানীয় ব্যক্তি, তেওঁ যি যি কয়, সকলো সিদ্ধ হয়; এতেকে আহক
আমি এতিয়া সেই ঠাইলৈ যাওঁ; হয়তো আমি কোনবাটে যাব লাগে
তেওঁ জনাব পাৰিব।" ৭ তেতিয়া চৌলে তেওঁৰ দাসক ক'লে, "কিন্তু
আমি যদি যাওঁ, তেন্তে সেই লোকৰ ওচৰলৈ কি লৈ যাম? কিয়নো
আমাৰ পাত্ৰৰ পিঠা শেষ হ'ল; ঈশ্বৰৰ লোকৰ ওচৰলৈ উপহাৰস্বৰূপে
আমি কি লৈ যাম? আমাৰ লগত কি আছে?" ৮ তাতে দাস জনে চৌলক
উত্তৰ দি ক'লে, "এয়া চাওকচোন, মোৰ হাতত এক চেকল ৰূপৰ চতুৰ্থ
ভাগৰ এভাগ আছে; আমি কোন বাটে যাব লাগে, সেই কথা জনাবৰ
কাৰণে মই ঈশ্বৰৰ লোকজনক ইয়াকে দিম।" ৯ (আগৰ সময়ত
ইস্ৰায়েলত, যেতিয়া এজন লোকে ঈশ্বৰৰ ইচ্ছা কি জানিব বিচাৰে,
তেওঁ কয়, "আহাঁ, আমি ভাববাদীৰ ওচৰলৈ যাওঁ"।' কাৰণ বৰ্তমানত
যাক ভৱিষ্যত বক্তা বোলা হয়, আগৰ সময়ত তেওঁক ভাববাদী বোলা
হৈছিল)। ১০ তেতিয়া চৌলে নিজৰ দাসক ক'লে, "ঠিকেই কৈছা; ব'লা
আমি যাওঁহক।" তাৰ পাছত তেওঁলোকে ঈশ্বৰৰ লোক য'ত আছিল

সেই নগৰলৈ গ'ল। ১১ তেওঁলোকে নগৰৰ পাহাৰেদি উঠি যাওঁতে,
পানী তুলিবলৈ অহা কেইগৰাকীমান যুৱতীক লগ পালে; তেওঁলোকক
চৌল আৰু তেওঁৰ দাসে সুধিলে, "ইয়াত ভাববাদী আছেনে?" ১২
তেওঁলোকে উত্তৰ দি ক'লে, "তেওঁ আছে; চাওক, আপোনাৰ ঠিক
সন্মুখতে আছে, সোনকাল কৰক, তেওঁ নগৰলৈ আজি আহিছে, কাৰণ
আজি ওখ স্থানত লোকসকলে বলিদান কৰিব। ১৩ সেয়ে তেওঁ ওখ
স্থানলৈ ভোজন কৰিবলৈ যোৱাৰ পূৰ্বে আপোনালোকে নগৰত সোমায়ে
তেওঁক বিচাৰি পাব। কিয়নো তেওঁ গৈ নোপোৱালৈকে, লোকসকলে
ভোজন নকৰে, কাৰণ তেওঁ বলিদানত আশীৰ্ব্বাদ কৰাৰ পাছতহে
নিমন্ত্ৰিত সকলে ভোজন কৰিব। এতেকে আপোনালোক এতিয়াই
যাওক; তেতিয়াহে তেওঁক লগ পাব।" ১৪ সেয়ে তেওঁলোক নগৰলৈ
গ'ল। তেওঁলোক নগৰত সোমাওঁতেই দেখিলে যে, চমূৱেলে ওখ
স্থানলৈ যাবৰ উদ্দেশে তেওঁলোকৰ ফালে আহি আছে। ১৫ চৌল
আহি পোৱাৰ আগদিনা, যিহোৱাই চমূৱেলৰ আগত এই কথা প্ৰকাশ
কৰিলে: ১৬ "কাইলৈ এনে সময়তে মই বিন্যামীন প্ৰদেশৰ পৰা এজন
মানুহ তোমাৰ ওচৰলৈ পঠাম; তেওঁক মোৰ প্ৰজা ইস্ৰায়েলৰ ওপৰত
অধিপতি হ'বলৈ তুমি তেওঁক অভিষেক কৰিবা, তাতে তেওঁ মোৰ
প্ৰজাক পলেষ্টীয়াসকলৰ হাতৰ পৰা উদ্ধাৰ কৰিব; কিয়নো, মোৰ
প্ৰজাসকলৰ কাতৰোক্তিৰ শব্দ মোৰ কাণত পৰাত, মই তেওঁলোকলৈ
দৃষ্টি কৰিলোঁ।" ১৭ যেতিয়া চমূৱেলে চৌলক দেখা পালে, যিহোৱাই
তেওঁক ক'লে, "যাৰ বিষয়ে মই তোমাক কৈছিলোঁ, এইজনেই সেই
ব্যক্তি; তেৱেঁই মোৰ প্ৰজাসকলৰ ওপৰত শাসন কৰিব।" ১৮ তেতিয়া
চৌলে দুৱাৰ মুখত চমূৱেলৰ ওচৰলৈ গৈ ক'লে, "মোক কওক,
ভাববাদীৰ ঘৰ ক'ত?" ১৯ চমূৱেলে চৌলক উত্তৰ দি ক'লে, "ময়েই
সেই ভাববাদী, মই ওখ স্থানলৈ যোৱাৰ পূৰ্বে তুমি তালৈ যোৱা,
কাৰণ তুমি আজি মোৰ লগত ভোজন কৰিবা, কাইলৈ ৰাতিপুৱা মই
তোমাক যাবলৈ দিম আৰু তোমাৰ মনৰ সকলো কথা মই তোমাক
জনাম। ২০ আজি তিনি দিন পূৰ্বে, তোমাৰ যি গাধবোৰ হেৰাইছিল,
সেইবোৰৰ কাৰণে চিন্তা নকৰিবা; কিয়নো সেইবোৰ পোৱা যাব আৰু

যাৰ কাৰণে ইস্রায়েলৰ সকলো ইচ্ছা জড়িত হৈ আছে; সেয়ে জানো
তোমাৰ আৰু তোমাৰ সমূদায় পিতৃ-বংশৰ নহয়?" ২১ চৌলে উত্তৰ দি
ক'লে, "ইস্রায়েলৰ সকলোতকৈ সৰু ফৈদ বিন্যামীন ফৈদৰ মই নহয়
নে? আৰু বিন্যামীন ফৈদৰ আটাই গোষ্ঠীবিলাকৰ মাজত মোৰ গোষ্ঠী
সকলোতকৈ সৰু নহয় নে? তেনেহ'লে আপুনি মোৰ আগত এই দৰে
কিয় কৈছে?" ২২ তাৰ পাছত চমূৱেলে চৌলক আৰু তেওঁৰ দাসক
ভোজনৰ কোঁঠালিটোলৈ লৈ গ'ল; আৰু ত্রিশ জনমান নিমন্ত্রিত অতিথিৰ
সৈতে প্ৰধান ঠাইত বহুৱালে। ২৩ চমূৱেলে ৰান্ধনীক ক'লে, "মই
তোমাক যিখিনি 'বেলেগে ৰাখিব দিছিলোঁ' তোমাক দিয়া সেই ভাগটো
লৈ আনা।' ২৪ তাৰ পাছত ৰান্ধনীয়ে বলিদান দিয়া পিছ ভৰিৰ কৰঙণ
আৰু তাৰ ওপৰত যি সকলো আছিল, সেইখিনি আনি চৌলৰ আগত
থলে। তেতিয়া চমূৱেলে ক'লে, "চোৱা, তোমাৰ কাৰণে যি ৰখা হৈছিল!
তাক ভোজন কৰা, কাৰণ নিৰূপিত সময়লৈকে তোমাৰ বাবে ইয়াক
ৰখা হৈছিল। সেয়ে অতিথিসকলৰ সৈতে তুমি ভোজন কৰা।" চৌলে
সেই দিনা চমূৱেলৰ লগত ভোজন কৰিলে। ২৫ যেতিয়া তেওঁলোক
ওখ স্থানৰ পৰা নগৰলৈ নামি আহিল, তেতিয়া চমূৱেলে ঘৰৰ চালৰ
ওপৰত চৌলৰ লগত কথোপকথন কৰিলে। ২৬ ৰাতিপুৱাতে চমূৱেলে
চৌলক ঘৰৰ চালৰ ওপৰলৈ মাতি ক'লে, "উঠা, যাতে মই তোমাক
তোমাৰ বাটে পঠিয়াব পাৰোঁ;" সেয়ে চৌল উঠিল আৰু চমূৱেলৰ সৈতে
দুয়োজন বাটলৈ ওলাই গ'ল। ২৭ তাৰ পাছত নগৰৰ বাহিৰলৈ যোৱাত,
চমূৱেলে চৌলক ক'লে, "তোমাৰ দাসক আমাৰ আগে আগে যাবলৈ
কোৱা, তাতে দাস আগ হৈ গ'ল কিন্তু তুমি অলপ সময় ইয়াতে ৰৈ
থাকা, যাতে মই তোমাক ঈশ্বৰৰ বাক্য শুনাব পাৰোঁ।"

**১০** তাৰ পাছত চমূৱেলে তেলৰ বটল লৈ, চৌলৰ মুৰৰ ওপৰত তেল
ঢালি তেওঁক চুমা খাই ক'লে, যিহোৱাৰ নিজ বংশৰ সূত্রে অধিপতি
হ'বলৈ তেওঁ তোমাক জানো অভিষেক কৰা নাই? ২ আজি তুমি যেতিয়া
মোৰ ওচৰৰ পৰা যাবা, তেতিয়া বিন্যামীনৰ সীমাত থকা চেলচহত
ৰাহেলৰ মৈদামৰ ওচৰত দুজন মানুহ লগ পাবা। তেওঁলোকে তোমাক
ক'ব 'তুমি যি গাধবোৰ বিচাৰি গৈছিলা, সেইবোৰ পোৱা হ'ল। এতিয়া

তোমাৰ পিতৃয়ে গাধবোৰলৈ চিন্তা কৰিবলৈ এৰি তোমাৰ কাৰণে চিন্তা
কৰি কৈছে, “মোৰ পুত্ৰৰ বিষয়ে কি কৰিম?”  ৩ তাৰ পাছত তুমি
তাৰ পৰা আগবাঢ়ি গৈ তাবোৰৰ এলোন গছজোপা পাবা। বৈৎএললৈ
ঈশ্বৰৰ ওচৰলৈ যোৱা তিনিজন লোকক তুমি তাত পাবা, তাৰে এজনে
তিনিটা ছাগলী পোৱালি, আন জনে তিনিটা পিঠা, আৰু আন জনে
এক মোট দ্ৰাক্ষাৰস কঢ়িয়াই অনা দেখিবা। ৪ তেওঁলোকে তোমাক
মঙ্গলবাদ কৰিব আৰু তোমাক দুটা পিঠা দিব, তুমি তেওঁলোকৰ হাতৰ
পৰা তাক ল’বা। ৫ তাৰ পাছত, তুমি পলেষ্টীয়াসকলৰ নগৰৰক্ষী
সৈন্যদল থকা ঈশ্বৰৰ পৰ্ব্বত পাবাগৈ। তুমি যেতিয়া সেই নগৰ পাবা
তেতিয়া নেবল, খঞ্জৰী, বাঁহী আৰু বীণা বজাই ভাববাণী প্ৰচাৰ কৰি
কৰি ওখ স্থানৰ পৰা নামি অহা এদল ভাববাদীৰ লগত তোমাৰ সাক্ষাৎ
হ’ব। ৬ তেতিয়া যিহোৱাৰ আত্মাই তোমাত স্থিতি ল’ব; তেতিয়া তুমিও
তেওঁলোকৰ লগত ভাববাণী প্ৰচাৰ কৰিবা আৰু তুমি সম্পূৰ্ণ পৰিৱৰ্তন
হোৱা ব্যক্তি হ’বা। ৭ এই সকলো চিন তোমালৈ ঘটাৰ পাছত, আমাৰ
হাতে কৰিব খোজা সকলো কাম কৰিবা, কাৰণ যিহোৱা তোমাৰ
লগত আছে। ৮ মোৰ আগেয়ে তুমি গিলগললৈ নামি যোৱা। তাৰ
পাছ হোমবলি আৰু মঙ্গলাৰ্থক বলি উৎসৰ্গ কৰিবলৈ মই তোমাৰ
ওচৰলৈ যাম। মই যেতিয়ালৈকে তোমাৰ ওচৰলৈ গৈ তুমি কৰিবলগীয়া
কাম তোমাক নুবুজাওঁ, তেতিয়ালৈকে তুমি সাত দিন মোৰ বাবে
অপেক্ষা কৰিবা। ৯ চৌলে চমূৱেলৰ ওচৰৰ পৰা যাবলৈ ওলাল আৰু
যিহোৱাই তেওঁৰ মন পৰিৱৰ্তন কৰিলে। ১০ যেতিয়া তেওঁলোকে
পৰ্ব্বত পালেগৈ, এদল ভাববাদীয়ে তেওঁক লগ পালে, তাতে যিহোৱাৰ
আত্মা তেওঁৰ ওপৰত স্থিতি হ’ল আৰু তেওঁলোকৰ মাজত তেৱোঁ
ভাববাণী প্ৰচাৰ কৰিলে। ১১ তেওঁক আগৰ পৰা যিসকলে জানিছিল
তেওঁলোকে ভাববাদীসকলৰ সৈতে তেওঁক ভাববাণী প্ৰচাৰ কৰা দেখি,
ইজনে-সিজনক ক’লে, “কীচৰ পুত্ৰৰ কি হ’ল? চৌলো ভাববাদীসকলৰ
মাজৰ এজন নেকি?” ১২ তাত থকা এজন মানুহে উত্তৰ দিলে,
“তেওঁলোকৰ পিতৃ কোন?” ইয়াৰ কাৰণে এই কথা প্ৰচলিত হ’ল,
“চৌলো ভাববাদীসকলৰ মাজৰ এজন নে?” ১৩ ভাববাণী প্ৰচাৰ কৰি

শেষ হোৱাৰ পাছত তেওঁ ওখ স্থানলৈ গ'ল। ১৪ চৌলৰ দদায়েকে
তেওঁক আৰু তেওঁৰ দাসক সুধিলে, “তোমালোক ক'লৈ গৈছিলা?”
তেওঁ উত্তৰ দি ক'লে, “গাধবোৰ বিচাৰি গৈছিলোঁ; কিন্তু গাধবোৰ
ক'তো বিচাৰি নাপাই আমি চমূৱেলৰ ওচৰলৈ গ'লো।” ১৫ চৌলৰ
দদায়েকে ক'লে, “অনুগ্ৰহ কৰি কোৱাচোন চমূৱেলে তোমালোকক
কি ক'লে?” ১৬ চৌলে দদায়েকক ক'লে, “তেওঁ আমাক স্পষ্টকৈ
ক'লে যে, “গাধবোৰ বিচাৰি পাবা।” কিন্তু ৰাজ্যৰ বিষয়ে যি কথা
চমূৱেলে তেওঁক কৈছিল, সেই কথা তেওঁ দদায়েকক নক'লে। ১৭
চমূৱেলে লোকসকলক মতি আনি মিস্পাত যিহোৱাৰ সাক্ষাতে গোট
খোৱালে। ১৮ ইস্রায়েলৰ সন্তান সকলক তেওঁ ক'লে, “ইস্রায়েলৰ ঈশ্বৰ
যিহোৱাই এই কথা কৈছে, ‘মই ইস্রায়েলক মিচৰৰ পৰা আনিলোঁ,
মিচৰীয়াসকলৰ হাতৰ পৰা আৰু যিবোৰ ৰাজ্যই তোমালোকক উপদ্ৰৱ
কৰিছিল তেওঁলোকৰ পৰা মই উদ্ধাৰ কৰিলোঁ। ১৯ কিন্তু তোমালোকে
আজি তোমালোকৰ ঈশ্বৰক হেয়জ্ঞান কৰিলা, যি জনে সকলো আপদ
আৰু সঙ্কটৰ পৰা তোমালোকক উদ্ধাৰ কৰিলে; তেওঁকেই তোমালোকে
কৈছা, “আমাৰ ওপৰত এজন ৰজা নিযুক্ত কৰক’। সেয়ে, তোমালোকে
এতিয়া নিজৰ ফৈদ অনুসাৰে আৰু নিজৰ গোষ্ঠী অনুসাৰে যিহোৱাৰ
আগত উপস্থিত হোৱা।” ২০ তাৰ পাছত চমূৱেলে ইস্রায়েলৰ সকলো
ফৈদক ওচৰলৈ আনিলে আৰু বিন্যামীন ফৈদক মনোনীত কৰিলে। ২১
গোষ্ঠী অনুসাৰে বিন্যামীন ফৈদক ওচৰলৈ আনাৰ পাছত মট্ৰীয়া সকলৰ
গোষ্ঠীক মনোনীত কৰা হ'ল আৰু তাৰ মাজত কীচৰ পুত্ৰ চৌলক
মনোনীত কৰিলে; কিন্তু তেওঁলোকে যেতিয়া তেওঁক বিচাৰি গ'ল,
তেতিয়া তেওঁক বিচাৰি নাপালে। ২২ তেতিয়া লোকসকলে যিহোৱাক
বহুতো প্ৰশ্ন সুধিব খুজিলে, “এতিয়াও এই ঠাইলৈ আন এজন মানুহ
আহিব লগা আছে নে?” যিহোৱাই উত্তৰ দিলে, “সেই পুৰুষ মালবস্তুৰ
মাজত লুকাই আছে।” ২৩ তেওঁলোকে লগে লগে দৌৰি গৈ তাৰ পৰা
তেওঁক উলিয়াই আনিলে, আৰু তেওঁ লোকসকলৰ মাজত থিয় হোৱাত,
আন সকলো লোকতকৈ তেওঁ ওখ আছিল। ২৪ তেতিয়া চমূৱেলে লোক
সকলক ক'লে, “যিহোৱাই মনোনীত কৰা পুৰুষ জনক তোমালোকে

দেখিছা নে? ইয়াত সকলো লোকৰ মাজত এওঁৰ দৰে আন কোনো
নাই!" তাতে সকলো লোকে জয়-ধ্বনি কৰি ক'লে "ৰজা চিৰজীৱি
হওঁক!" ২৫ তাৰ পাছত চমূৱেলে লোকসকলৰ আগত ৰাজ্যৰ ৰীতি-
নীতি ব্যাখ্যা কৰিলে, আৰু এখন পুস্তকত এই সকলো লিখি যিহোৱাৰ
সন্মুখত ৰাখিলে। তাৰ পাছত চমূৱেলে লোকসকলক নিজৰ নিজৰ
ঘৰলৈ পঠিয়াই দিলে। ২৬ চৌলেও নিজৰ ঘৰ গিবিয়ালৈ গ'ল; আৰু
ঈশ্বৰে যিসকলৰ হৃদয় স্পৰ্শ কৰিলে, এনে কেইজন মান শক্তিমান
পুৰুষ তেওঁৰ লগত গ'ল। ২৭ কিন্তু কেইজন মান মূল্যহীন মানুহে
ক'লে, "এই পুৰুষে আমাক কেনেকৈ ৰক্ষা কৰিব?" তেওঁলোকে চৌলক
হেয়জ্ঞান কৰিলে আৰু তেওঁলৈ কোনো উপহাৰ নানিলে; তথাপি তেওঁ
মনে মনে থাকিল।

**১১** অম্মোনীয়া নাহচে উঠি আহি যাবেচ-গিলিয়দৰ বিৰুদ্ধে ছাউনি
পাতিলে। যাবেচৰ আটাই লোকে নাহচক ক'লে, "আপুনি আমাৰ সৈতে
এটা চুক্তি কৰক; তেতিয়াহে আমি আপোনাৰ অধীনত থাকিম।" ২ কিন্তু
অম্মোনীয়া নাহচে তেওঁলোকক ক'লে, "মই এইদৰে তোমালোকৰ
লগত চুক্তি কৰিম, তোমালোক সকলোৰে সোঁ চকু কঢ়া যাব আৰু
তাৰ দ্বাৰাই মই গোটেই ইস্ৰায়েলক অপমান কৰিম।" ৩ তেতিয়া
যাবেচৰ বৃদ্ধ লোকসকলে তেওঁক ক'লে, "আমি ইস্ৰায়েল দেশৰ সকলো
ফালে যেন দূত পঠাব পাৰোঁ এই কাৰণে আপুনি সাত দিন আমাক
অকলে এৰি দিয়ক। কোনোৱে যদি আমাক উদ্ধাৰ নকৰে, তেন্তে আমি
আপোনাৰ ওচৰত নিজকে সমৰ্পণ কৰিম।" ৪ বাৰ্তাবহকসকল চৌলৰ
নগৰ গিবিয়ালৈ আহিল। তাতে লোকসকলৰ পৰা যিবোৰ কথা শুনি
আহিছিল সেই কথাবোৰ লোকসকলক ক'লে; তেতিয়া লোকসকলে
উচ্চস্বৰে কান্দিবলৈ ধৰিলে। ৫ সেই সময়ত চৌলে পথাৰৰ পৰা
বলধ গৰুবোৰৰ পাছে পাছে আহি আছিল; তাতে তেওঁ লোকসকলক
সুধিলে, "লোকসকলৰ কি হৈছে, তেওঁলোকে যে কান্দিছে?" তেতিয়া
লোকসকলে যাবেচৰ লোকে কোৱা কথাবোৰ চৌলক ক'লে। ৬ সেই
বাতৰি শুনাৰ লগে লগে ঈশ্বৰৰ আত্মাই চৌলত স্থিতি ল'লে আৰু
তেওঁৰ অতিৰিক্ত খং উঠিল। ৭ তেওঁ বলধ গৰুৰ পৰা যুৰঁলী ডাল

আতৰালে আৰু ডোখৰ ডোখৰ কৰি কাটি বাৰ্তাবাহকৰ দ্বাৰাই ইস্ৰায়েল
দেশৰ চাৰিওফালে পঠিয়াই দিলে। তেওঁ ক’লে, “যিসকলে চৌল
আৰু চমূৱেলৰ পাছত ওলাই নাহে, তেওঁলোকৰ বলধ গৰুবোৰলৈকো
এইদৰে কৰা হ’ব।” তাতে যিহোৱাৰ ভয়ত লোক সকল এজন মানুহৰ
দৰে একেলগে বাহিৰলৈ ওলাই আহিল। ৮ যেতিয়া তেওঁ বেজকত
লোক সকলৰ গণনা কৰিলে তেতিয়া ইস্ৰায়েলৰ সন্তান সকলৰ তিনি
লাখ আৰু যিহূদাৰ ত্ৰিশ হাজাৰ লোক পোৱা গ’ল। ৯ তাৰ অহা
বাৰ্তাবাহকক তেওঁলোকে ক’লে, “তোমালোকে গৈ যাবেচ-গিলিয়দৰ
লোকসকলক এই কথা ক’বা, ‘কাইলৈ সূৰ্যৰ প্ৰখৰ ৰ’দ হোৱাৰ
সময়ত তোমালোকক উদ্ধাৰ কৰা হ’ব’।” পাছত বাৰ্তাবহকে যাবেচৰ
লোকসকলক সেই কথা কোৱাত, তেওঁলোক আনন্দিত হ’ল। ১০ তাৰ
পাছত যাবেচৰ লোকে নাহচক ক’লে, “কাইলৈ আমি তোমালোকৰ
ওচৰত সমৰ্পণ কৰিম, তাতে তোমালোকৰ দৃষ্টিত যি ভাল তাকে
আমালৈ কৰিবা।” ১১ পাছদিনা চৌলে তেওঁৰ লোকসকলক তিনিটা
দলত বিভক্ত কৰিলে। ৰাতিপুৱা তেওঁলোক ছাউনিৰ মাজলৈ আহি,
প্ৰখৰ ৰ’দ নোহোৱালৈকে অম্মোনীয়াসকলক আক্ৰমণ কৰি পৰাস্ত
কৰিলে। যি সকল জীয়াই থাকিল, লোকসকল এইদৰে ছিন্ন ভিন্ন হৈ
গ’ল যে, তেওঁলোক কোনো দুজন একেলগে নাথাকিল। ১২ সেয়ে
লোকসকলে চমূৱেলক ক’লে, “চৌল আমাৰ ওপৰত ৰজা হ’বনে
বুলি কোৱা লোকসকল কোন?’ সেই মানুহসকলক আনা, “আমি
তেওঁলোকক প্ৰাণদণ্ড দিওঁ।” ১৩ কিন্তু চৌলে ক’লে, “আজি কাৰোঁ
প্ৰাণদণ্ড নহ’ব কিয়নো আজি যিহোৱাই ইস্ৰায়েলক উদ্ধাৰ কৰিলে।”
১৪ তাৰ পাছত চমূৱেলে লোকসকলক ক’লে, “আহা, আমি গিলগললৈ
গৈ সেই ঠাইত পুনৰ ৰাজত্ব কৰোঁহক।” ১৫ তাতে সকলো লোক
গিলগললৈ গৈ সেই গিলগলতে যিহোৱাৰ সাক্ষাতে চৌলক ৰজা
পাতিলে; আৰু যিহোৱাৰ উদ্দেশ্যে মঙ্গলাৰ্থক বলি উৎসৰ্গ কৰিলে; সেই
ঠাইতে চৌল আৰু ইস্ৰায়েলৰ সকলো লোক আনন্দত উল্লাসিত হ’ল।
**১২** চমূৱেলে ইস্ৰায়েলৰ লোকসকলক ক’লে, “চোৱা, তোমালোকে
মোক যি যি কৈছিলা, সেই সকলো কথা মই শুনিলো, সেয়ে

তোমালোকৰ কাৰণে এজন ৰজা পাতি দিলোঁ। ২ এতিয়া ৰজাই
তোমালোকৰ আগত অহা-যোৱা কৰি আছে; কাৰণ মই পকা চুলিয়া
বৃদ্ধ হ'লো; আৰু মোৰ সন্তান সকল তোমালোকৰ লগত আছে। যুৱক
অৱস্থাৰ পৰা এতিয়ালৈকে মই তোমালোকৰ আগত অহা-যোৱা কৰি
আছিলোঁ। ৩ মই ইয়াতে আছোঁ; যিহোৱা আৰু অভিষিক্ত জনাৰ
সন্মুখত মোৰ বিৰুদ্ধে সাক্ষ্য দিছা। কাৰ ষাঁড়-গৰু মই ল'লো? কাৰ
গাধ মই ল'লো? কাক মই প্ৰবঞ্চনা কৰিলোঁ? কাক মই উপদ্ৰৱ
কৰিলোঁ? মোৰ নিজৰ চকু অন্ধ কৰিবলৈ কাৰ হাতৰ পৰা ভেটী ল'লো?
তোমালোকে যিহোৱাৰ সাক্ষাতে আৰু তেওঁৰ অভিষিক্ত জনৰ আগত
মোৰ বিৰুদ্ধে সাক্ষ্য দি কোৱা, মই তোমালোকক তাক ওভোটাই
দিম।" ৪ তেওঁলোকে ক'লে, আপুনি আমাক প্ৰবঞ্চনা, উপদ্ৰৱ বা
আমাৰ হাতৰ পৰা একো বস্তু লোৱা নাই।' ৫ তেওঁ তেওঁলোকক ক'লে,
"যিহোৱা তোমালোকৰ বিৰুদ্ধে সাক্ষী আছে, আৰু তেওঁৰ অভিষিক্ত
জনো সাক্ষী হৈ আছে, যে, তোমালোকে মোৰ হাতত একো বস্তু
পোৱা নাই।" তেওঁলোকে উত্তৰ দি ক'লে, "যিহোৱা সাক্ষী হৈ আছে।"
৬ চমূৱেলে লোকসকলক ক'লে, যিহোৱাই মোচি আৰু হাৰোণক
নিযুক্ত কৰিছিল, আৰু তোমালোকৰ পূৰ্বপুৰুষসকলক মিচৰ দেশৰ পৰা
উলিয়াই আনিলে। ৭ তোমালোকে এতিয়া প্ৰস্তুত হোৱা; তোমালোকলৈ
আৰু তোমালোকৰ পূৰ্বপুৰুষসকললৈ যিহোৱাই যি উপযুক্ত কাৰ্য
কৰিলে, তাৰ বিষয়ে যিহোৱাৰ সন্মুখত মই তোমালোকৰ লগত কথা
পাতিম। ৮ যাকোব মিচৰলৈ অহাৰ পাছত, যেতিয়া তোমালোকৰ পূৰ্ব-
পুৰুষসকলে যিহোৱাৰ আগত কাতৰোক্তি কৰিলে, তেতিয়া যিহোৱাই
মোচি আৰু হাৰোণক পঠালে; তেওঁলোকে মিচৰৰ পৰা তোমালোকৰ
পূৰ্বপুৰুষসকলক উলিয়াই আনিলে আৰু এই ঠাইতে তেওঁলোকক নিবাস
কৰিবলৈ দিলে। ৯ কিন্তু তেওঁলোকে তেওঁলোকৰ ঈশ্বৰ যিহোৱাক
পাহৰিলে; তাতে তেওঁ হাচোৰৰ সেনাপতি চীচৰাৰ, পলেষ্টীয়াসকলৰ
আৰু মোৱাবৰ ৰজাৰ হাতত তেওঁলোকক বেচিলে; আৰু সিহঁতে
তেওঁলোকৰ লগত যুদ্ধ কৰিলে। ১০ তাৰ পাছত তেওঁলোকে যিহোৱাৰ
ওচৰত কাতৰোক্তি কৰি ক'লে, 'আমি পাপ কৰিলোঁ; কাৰণ আমি

যিহোৱাক ত্যাগ কৰি বাল দেৱতাবোৰক আৰু অষ্টাৰেৎ দেৱীবোৰক
পূজা কৰিলোঁ। কিন্তু এতিয়া আপুনি আমাক শত্রুৰ হাতৰ পৰা উদ্ধাৰ
কৰক; আৰু আমি আপোনাৰ আৰাধনা কৰিম।' ১১ তাৰ পাছত
যিহোৱাই যিৰুব্বাল, বাৰাক, যিপ্তহ আৰু চমূৱেলক পঠাই তোমালোকৰ
চাৰিওফালে থকা শত্রুবোৰৰ হাতৰ পৰা তোমালোকক উদ্ধাৰ কৰিলে;
তাতে তোমালোকে নিৰাপদে বসতি কৰিলা। ১২ অম্মোনৰ সন্তান
সকলৰ ৰজা নাহচ যেতিয়া তোমালোকৰ অহিতে ওলাই অহা দেখিলা,
তেতিয়া তোমালোকে মোক ক'লা, 'নহয় যদিও তোমালোকৰ ঈশ্বৰ
যিহোৱা তোমালোকৰ ৰজা আছিল, তথাপিও তোমালোকে ৰাজত্ব
কৰিবলৈ এজন ৰজা বিচাৰিলা'। ১৩ তোমালোকে মনোনীত কৰা আৰু
তোমালোকে বিচাৰা ৰজা এইজন; যিহোৱাই তোমালোকৰ কাৰণে
ৰজা নিযুক্ত কৰি দিলে। ১৪ তোমালোকে যদি যিহোৱালৈ ভয় ৰাখি
তেওঁৰ আৰাধনা কৰা, তেওঁৰ বাক্য পালন কৰা, যিহোৱাৰ আজ্ঞাৰ
বিৰুদ্ধাচৰণ নকৰা, তেনেহলে তোমালোক তথা তোমালোকৰ ওপৰত
ৰাজত্ব কৰা ৰজা উভয়ে ঈশ্বৰ যিহোৱাৰ অনুগামী হ'বা। ১৫ কিন্তু
যদি তোমালোকে যিহোৱাৰ বাক্য পালন নকৰা, যিহোৱাৰ আজ্ঞাৰ
বিৰুদ্ধাচৰণ কৰা, তেন্তে, যিহোৱাৰ হাত যেনেকৈ তোমালোকৰ ওপৰ
পিতৃসকলৰ বিৰুদ্ধে আছিল তেনেকৈ তোমালোকৰো বিৰুদ্ধে হ'ব।
১৬ সেয়ে তোমালোকে যিহোৱাৰ ওচৰত নিজকে সমৰ্পণ কৰা আৰু
তোমালোকৰ চকুৰ সন্মুখত কৰা যিহোৱাৰ মহৎ কৰ্মবোৰ চোৱা।
১৭ আজি জানো ঘেঁহু ধান দোৱা সময় নহয়? যিহোৱাই যেন মেঘ-
গৰ্জ্জনেৰে বৃষ্টি বৰষাই, ইয়াৰ বাবে মই যিহোৱাৰ আগত প্ৰাৰ্থনা
কৰিম। 'তোমালোকে তোমালোকৰ বাবে এজন ৰজা খোজা, যিহোৱাৰ
দৃষ্টিত কিমান ডাঙৰ অপৰাধ আছিল, সেই বিষয়ে তোমালোকে বুজিবা
আৰু দেখিবলৈ পাবা'। ১৮ তাৰ পাছত চমূৱেলে যিহোৱাৰ ওচৰত
নিবেদন কৰিলে, আৰু সেই দিনাই যিহোৱাই মেঘ-গৰ্জ্জনেৰে বৃষ্টি
বৰষালে। এই সকলো দেখি, লোক সকলে যিহোৱালৈ আৰু চমূৱেললৈ
অতিশয় ভয় কৰিলে। ১৯ তাৰ পাছত সকলো লোকে চমূৱেলক ক'লে,
"আপোনাৰ ঈশ্বৰ যিহোৱাৰ আগত আপোনাৰ দাস সকলৰ কাৰণে

প্ৰাৰ্থনা কৰক; যাতে আমাৰ মৃত্যু নহয়। কাৰণ আমি আমাৰ বাবে
এজন ৰজা বিচাৰি অধিক পাপ কৰিলোঁ।” ২০ চমূৱেলে উত্তৰ দি
ক’লে, ভয় নকৰিবা; তোমালোকে এই সকলো দুষ্কৰ্ম কৰিছা হয়, কিন্তু
তোমালোকে যিহোৱাৰ পথ ত্যাগ নকৰিবা আৰু তোমালোকে সকলো
হৃদয়েৰে যিহোৱাৰ আৰাধনা কৰিবা। ২১ কোনো অসাৰ বস্তুৰ পাছত
তোমালোক নাযাবা; সেয়া তোমালোকৰ কাৰণে লাভ জনক নহয় বা
তোমালোকক ৰক্ষা নকৰে, কাৰণ এই সকলো অসাৰ। ২২ যিহোৱাই
নিজৰ মহান নামৰ উদ্দেশ্যে নিজৰ প্ৰজাসকলক ত্যাগ নকৰে; কাৰণ
তেওঁলোকক নিজৰ প্ৰজা কৰিবলৈ যিহোৱা সন্তোষ হয়। ২৩ মই
তোমালোকৰ কাৰণে প্ৰাৰ্থনা কৰিবলৈ এৰি দিয়াৰ দ্বাৰাই যিহোৱাৰ
বিৰুদ্ধে পাপ কৰিম, এনে নহওঁক, ইয়াৰ পৰিবৰ্তে, মই তোমালোকক
উত্তম আৰু সৰল পথ শিকাম। ২৪ তোমালোকে কেৱল যিহোৱালৈ ভয়
ৰাখা আৰু সত্যতাৰে সকলো হৃদয়েৰে তেওঁৰ আৰাধনা কৰা; আৰু
তেওঁ তোমালোকৰ অৰ্থে কৰা মহৎ কৰ্মৰ কথা বিবেচনা কৰা। ২৫
কিন্তু তোমালোকে যদি বেয়া আচৰণ কৰা, তেন্তে তোমালোক আৰু
তোমালোকৰ ৰজা উভয়ে বিনষ্ট হ’বা।

**১৩** চৌলে ত্ৰিশ বছৰ বয়সত ৰাজ্য শাসন কৰিবলৈ আৰম্ভ কৰে,
আৰু তেওঁ ইস্ৰায়েলৰ লোকসকলক দুবছৰ শাসন কৰে। ২ চৌলে
ইস্ৰায়েলৰ মাজৰ পৰা তিনি হাজাৰ সৈন্য মনোনীত কৰিলে; তাৰে দুই
হাজাৰ সৈন্য মিকমচত আৰু বৈৎএল পৰ্বতত চৌলৰ লগত থাকিল,
একহাজাৰ বিন্যামীন প্ৰদেশৰ গিবিয়াত যোনাথনৰ লগত থাকিল, আৰু
আনসকলো লোকক তেওঁ নিজ নিজ তম্বুলৈ পঠাই দিলে। ৩ যোনাথনে
গেবাত থকা ফিলিষ্টীয়াসকলৰ নগৰ ৰক্ষী সৈন্যদলক পৰাস্ত কৰিলে
আৰু পলেষ্টীয়াসকলে এই সকলো কথা শুনিলে। তাৰ পাছত চৌলে
দেশৰ সকলোফালে শিঙা বজাই ক’লে, “ইব্ৰীয়াসকলে শুনক।” ৪
এইদৰে পলেষ্টীয়াসকলৰ নগৰ ৰক্ষী সৈন্যদলক চৌলে পৰাস্ত কৰা
কথা ইস্ৰায়েলৰ সকলো লোকে শুনিলে, আৰু ইস্ৰায়েল সকল ফিলিষ্টীয়া
সকলৰ কাৰণে ঘৃণাৰ পাত্ৰ হ’ল, তাৰ পাছত গিলগলত চৌলক লগ
ধৰিবলৈ সৈন্যসকল একগোট হ’ল। ৫ এইদৰে পলেষ্টীয়াসকলে

ইস্রায়েলৰ লগত যুদ্ধ কৰিবলৈ গোট খালে; তেওঁলোকৰ ত্ৰিশ হাজাৰ
ৰথ, ছয় হাজাৰ অশ্বাৰোহী আৰু সাগৰৰ তীৰত থকা বালিৰ দৰে
অসংখ্য পদাতিক সৈন্য আছিল; তেওঁলোকে আহি মিকমচত বৈৎ-
আবনৰ পূবদিশে ছাউনি পাতিলে। ৬ যেতিয়া ইস্ৰায়েল লোকসকলে
দেখিলে যে, তেওঁলোক বিপদত পৰিছে, কাৰণ লোকসকলে যাতনা
পাইছিল, সেয়ে লোকসকলে গুহাত, হাবিত, শিলৰ খোৰোঙত দুৰ্গম
ঠাইত আৰু গাতত নিজকে লুকুৱালে। ৭ আৰু কিছুমান ইব্ৰীয়ালোক
যৰ্দ্দন পাৰহৈ, গাদ আৰু গিলিয়দ দেশলৈ গ'ল; কিন্তু চৌল গিলগলতে
থাকিল, আৰু তেওঁক অনুসৰণ কৰা লোক সকলে কঁপিবলৈ ধৰিলে। ৮
চমূৱেলে নিৰূপন কৰাৰ দৰে চৌলে সাতদিন অপেক্ষা কৰিলে; কিন্তু
চমূৱেল হ'লে গিলগললৈ নাহিল আৰু লোকসকল চৌলৰ পৰা ছিন্ন-ভিন্ন
হৈ গ'ল। ৯ চৌলে ক'লে, "মোৰ ওচৰলৈ হোম-বলি আৰু মঙ্গলাৰ্থক
বলিবোৰ আনা।" তাৰ পাছত তেওঁ হোমবলি উৎসৰ্গ কৰিলে। ১০
হোমবলি উৎসৰ্গ কৰাৰ পাছত চমূৱেল আহি পালেহি; তাতে চৌলে
তেওঁক মঙ্গলবাদ কৰিবলৈ আগবাঢ়ি গ'ল। ১১ চমূৱেলে ক'লে, "তুমি
কি কৰিলা?" চৌলে ক'লে, "মই যেতিয়া দেখিলোঁ লোকসকল মোৰ
পৰা ছিন্ন-ভিন্ন হৈ গৈছে আৰু আপুনি নিৰূপিত সময়ত আহি পোৱা
নাই, আনফালে পলেষ্টীয়াসকল আহি মিকমচত গোট খাই আছে; ১২
তেতিয়া মই কলোঁ, পলেষ্টীয়াসকল এতিয়া মোৰ বিৰুদ্ধে গিলগললৈ
নামি আহিছে, আৰু মই যিহোৱাৰ দয়া নিবিছাৰিলোঁ। সেই কাৰণে
মই সাহস কৰি হোম-বলি উৎসৰ্গ কৰিলোঁ।" ১৩ সেয়ে চমূৱেলে
চৌলক ক'লে, "তুমি অজ্ঞানৰ কৰ্ম কৰিলা। তোমাৰ ঈশ্বৰ যিহোৱাই
তোমাক যি আজ্ঞা দিছিল, তাক পালন নকৰিলা। কৰা হ'লে যিহোৱাই
ইস্ৰায়েলৰ ওপৰত তোমাৰ ৰাজত্ব চিৰস্থায়ী কৰিলহেঁতেন। ১৪ কিন্তু
এতিয়া তোমাৰ ৰাজত্ব স্থায়ী নহ'ব। যিহোৱাই এজন নিজৰ মনৰ
মানুহ বিচাৰিব আৰু নিজৰ প্ৰজাসকলৰ ওপৰত তেওঁকেই অধিপতি
নিযুক্ত কৰিব কাৰণ যিহোৱাই তোমাক যি আজ্ঞা কৰিছিল, তুমি
সেয়া পালন নকৰিলা।" ১৫ তাৰ পাছত চমূৱেলে তাৰ পৰা উঠিল
আৰু গিলগলৰ পৰা বিন্যামীনৰ গেবালৈ গ'ল। তেতিয়া চৌলে তেওঁৰ

লগত থকা লোকসকলক গণনা কৰি প্ৰায় ছশ লোক পালে। ১৬ চৌল
আৰু তেওঁৰ পুত্ৰ যোনাথন আৰু তেওঁৰ লগৰ লোকসকল বিন্যামীনৰ
গেবাত থাকিল। কিন্তু পলেষ্টীয়াসকলে মিকমচত ছাউনি পাতিলে।
১৭ পলেষ্টীয়াসকলৰ ছাউনিৰ পৰা হঠাতে আক্ৰমণ কৰা তিনিটা দল
ওলাই আহিল। তেওঁলোকৰ এটা দল অফ্ৰাৰ বাটেদি চুৱাল প্ৰদেশৰ
ফাললৈ গ'ল; ১৮ আন এটা দল বিপৰীত মুখে বৈৎ-হোৰোণলৈ গ'ল,
আৰু আনটো দল চবোয়ীম উপত্যকাৰ সীমাৰে মৰুপ্ৰান্তৰ অভিমুখ
কৰা ওপৰ অঞ্চলৰ বাটেদি গ'ল। ১৯ সেই সময়ত গোটেই ইস্ৰায়েল
দেশত কোনো কমাৰ পোৱা নগৈছিল; কাৰণ পলেষ্টীয়াসকলে কয়
"কমাৰ থাকিলে ইব্ৰীয়াসকলে নিজৰ কাৰণে তৰোৱাল বা যাঠি গঢ়াই
লব।" ২০ সেই কাৰণে নিজৰ নিজৰ অস্ত্ৰ, বা কুঠাৰ, বা কোৰ বা নাঙল
শানেৰে ধাৰ দিবলৈ, ইস্ৰায়েল লোকসকল পলেষ্টীয়াসকলৰ ওচৰলৈ
নামি যাব লগা হয়। ২১ নাঙল আৰু চিপ্ৰাং ধাৰ কৰিবলৈ এক চেকলৰ
তিনি ভাগৰ দুভাগ, আৰু কুঠাৰ ধাৰ আৰু পোন কৰিবলৈ এক চেকলৰ
তিনি ভাগৰ এভাগ লাগিছিল। ২২ সেয়ে যুদ্ধৰ সময়ত চৌল আৰু
যোনাথনৰ সৈন্যসকলৰ হাতত তৰোৱাল বা যাঠী নাছিল; কেৱল চৌল
আৰু তেওঁৰ পুত্ৰ যোনাথনৰ হাততহে আছিল। ২৩ পলেষ্টীয়াসকল
নগৰ ৰক্ষী সৈন্যসকল মিকমচলৈ ওলাই গ'ল।

**১৪** এদিন চৌলৰ পুত্ৰ যোনাথনে তেওঁৰ ডেকা অস্ত্ৰবাহকক ক'লে,
"আহাঁ আমি পলেষ্টীয়াসকলৰ নগৰ ৰক্ষী সৈন্য দলৰ আন দিশে যাওঁ।"
কিন্তু তেওঁ এই কথা পিতৃক নক'লে। ২ সেই সময়ত চৌল গিবিয়াৰ
বাহিৰ ভাগৰ মিগ্ৰোণত থকা এজোপা ডালিম গছৰ তলত আছিল।
তেওঁৰ লগত প্ৰায় ছশ লোক আছিল, ৩ তেওঁলোকৰ সৈতে যিহোৱাৰ
পুৰোহিত এলী চীলোত আছিল, তেওঁৰ পৰিনাতি পীনহচৰ নাতি
ঈখাবোদৰ ককায়েক অহীটুবৰ পুত্ৰ যি অহিয়া তেওঁ এফোদ বস্ত্ৰ পিন্ধি
তেওঁৰ লগত আছিল; আৰু যোনাথন যে গ'ল, সেই কথা লোকসকলে
জনা নাছিল। ৪ যিবোৰ বাটেৰে যোনাথনে পলেষ্টীয়াসকলৰ নগৰ ৰক্ষী
সৈন্যদলৰ ওচৰলৈ যাব খুজিছিল, সেইবোৰ বাটৰ দুয়োকাষে ওখ
শিলৰ পাহাৰ আছিল। এফালৰ শিলৰ পাহাৰটোৰ নাম বোচেচ আৰু

আন ফালৰ পাহাৰটোৰ নাম চেনি। ৫ তাৰ মাজৰ এটা উত্তৰফালে
মিকমচৰ সন্মুখত আৰু দ্বিতীয়টো দক্ষিণফালে গেবাৰ সন্মুখত জোঙা
হৈ উঠিছিল। ৬ যোনাথনে তেওঁৰ ডেকা অস্ত্ৰবাহকক ক'লে, "আহা,
আমি সেই অচুন্নৎ নগৰ ৰক্ষী সৈন্য দলক অতিক্ৰম কৰি যাওঁ,
যিহোৱাই হয়তো আমাৰ পক্ষে কাম কৰিব; কাৰণ বহু লোকৰ
পৰাই হওঁক বা কম সংখ্যক লোকৰ পৰাই হওঁক, উদ্ধাৰ কৰিবলৈ
যিহোৱাক বাধা কৰোঁতা কোনো নাই।" ৭ তেওঁৰ অস্ত্ৰবাহকে ক'লে,
"আপুনি মনত যি ভাবিছে তাকেই কৰক; আপুনি আগুৱাই যাওক;
মই আপোনাৰ লগত আছোঁ, আপুনি যি আদেশ দিয়ে মই পালন
কৰিম।" ৮ তাৰ পাছত যোনাথনে ক'লে, "আমি সেই লোক সকলৰ
ফালে আগুৱাই গৈ তেওঁলোকক দেখা দিওঁ। ৯ যদি তেওঁলোকে
আমাক কয়, 'আমি তোমালোকৰ ওচৰলৈ নোযোৱালৈকে অপেক্ষা
কৰা, তেনেহ'লে আমি নিজ ঠাইতে থাকিম, তেওঁলোকৰ ওচৰলৈ
নাযাওঁ। ১০ কিন্তু তেওঁলোকে যদি কয়, 'আমাৰ ওচৰলৈ আহাঁ',
তেনেহ'লে আমি যাম; কাৰণ যিহোৱাই যে, তেওঁলোকক আমাৰ হাতত
শোধাই দিলে; এয়ে আমালৈ চিন হ'ব।" ১১ তাৰ পাছত তেওঁলোক
দুয়োজনে পলেষ্টীয়াসকলৰ সৈন্যদলৰ আগত নিজক দেখা দিওঁতে
পলেষ্টীয়াসকলে ক'লে, "সৌৱা চোৱা, ইব্ৰীয়াসকল যি যি গাতত
লুকাই আছিল সেইবোৰৰ এতিয়া ওলাই আহিছে।" ১২ পাছত সেই
নগৰ ৰক্ষী সৈন্যদলৰ লোকসকলে যোনাথন আৰু অস্ত্ৰবাহকক মাতি
ক'লে, "আমাৰ ওচৰলৈ উঠি আহাঁ, আমি তোমালোকক কিছুমান বস্তু
দেখুৱাম।" যোনাথনে তেওঁৰ অস্ত্ৰবাহকক ক'লে, "মোৰ পাছে পাছে
উঠি আহাঁ, কাৰণ যিহোৱাই তেওঁলোকক ইস্ৰায়েলৰ হাতত সমৰ্পণ
কৰিলে।" ১৩ যোনাথনে হাতে-ভৰিয়ে বগাই উঠি গ'ল আৰু তেওঁৰ
অস্ত্ৰবাহক তেওঁৰ পাছত গ'ল; সেই সময়ত লোকসকল যোনাথনৰ
সন্মুখত মৃত্যু মুখত পৰিল আৰু তেওঁৰ অস্ত্ৰবাহকে তাৰে কিছুমানক
বধ কৰিলে। ১৪ যোনাথন আৰু তেওঁৰ অস্ত্ৰবাহকে কৰা এই প্ৰথম
আক্ৰমণত এক একৰ মাটিৰ প্ৰায় আধা সীৰলু দৈৰ্ঘ্যত প্ৰায় বিশ
জন মান লোকক বধ কৰিলে। ১৫ তাতে ছাউনিত, পথাৰত, আৰু

লোকসকলৰ মাজত আতংক হ'ল, আনকি নগৰৰ প্ৰহৰী সৈন্যদল আৰু
আক্ৰমণকাৰীসকলৰ মাজতো আতংকৰ সৃষ্টি হ'ল। তাতে ভয়ানক
আতংকৰ সৃষ্টি হ'ল। ১৬ তেতিয়া বিন্যামীনৰ গিবীয়াত থকা চৌলৰ
প্ৰহৰীসকলে দেখিলে যে, লোক সমূহ ছিন্ন-ভিন্ন হৈ ইফালে-সিফালে
গৈছে। ১৭ তাতে চৌলে তেওঁৰ লগত থকা লোকসকলক ক'লে,
"গণি চোৱা আমাৰ মাজৰ কোন হেৰাল।" যেতিয়া তেওঁলোকে গণি
চালে, তেতিয়া যোনাথন আৰু তেওঁৰ অস্ত্ৰবাহকক নাপালে। ১৮ চৌলে
অহিয়াক ক'লে, "ঈশ্বৰৰ কাৰ্যৰ বাবে ব্যৱহাৰিত হোৱা এফোদ বস্ত্ৰ
ইয়ালৈ আনা।" কাৰণ সেই দিনা ইস্ৰায়েলৰ সৈন্যসকলৰ সৈতে অহিয়াই
এফোদ বস্ত্ৰ পিন্ধি আছিল। ১৯ যেতিয়া চৌলে পুৰোহিতৰ লগত কথা
পাতি আছিল, তেতিয়া পলেষ্টীয়াসকলৰ ছাউনিত একেৰাহে উত্তেজনা
বৃদ্ধি হৈ গৈছিল। তাতে চৌলে পুৰোহিতক ক'লে, "আপোনাৰ হাত
গুচাওক।" ২০ তাৰ পাছত চৌল আৰু তেওঁৰ লগত থকা লোকসকল
গোট খাই ৰণলৈ গ'ল। প্ৰত্যেক জন ফিলষ্টীয়ানৰ তৰোৱাল তেওঁৰ
দেশৰ লোকসকলৰ বিৰুদ্ধে উঠিল আৰু তাত অধিক ভুল বুজা-বুজি
হ'ল। ২১ পূৰ্বৰে পৰা পলেষ্টীয়াসকলৰ লগত থকা ইব্ৰীয়াসকল, আৰু যি
সকল তেওঁলোকৰ লগত ছাউনিলৈ গৈছিল, তেওঁলোকেও চৌল আৰু
যোনাথনৰ লগত থকা ইস্ৰায়েলী লোক সকলৰ লগত যোগ দিছিল। ২২
যেতিয়া ইস্ৰায়েল লোকসকল ইফ্ৰয়িম পৰ্বতীয়া অঞ্চলত লুকাই আছিল,
তেতিয়া তেওঁলোকে পলেষ্টীয়াসকলৰ পলোৱাৰ বাতৰি শুনাৰ পাছতো
তেওঁলোকৰ পাছে পাছে যুদ্ধ ক্ষেত্ৰলৈ খেদি গ'ল। ২৩ সেয়ে যিহোৱাই
সেইদিনাই ইস্ৰায়েলক উদ্ধাৰ কৰিলে আৰু বৈৎ-আবন অতিক্ৰম
কৰি যুদ্ধ কৰি গ'ল। ২৪ সেইদিনা ইস্ৰায়েল লোকসকল ক্লেশত
পৰিলে কাৰণ চৌলে তেওঁলোকক শপত দি ক'লে, "মই শত্ৰুবোৰক
প্ৰতিশোধ নোলোৱালৈকে সন্ধ্যাৰ আগেয়ে যি কোনোৱে আহাৰ কৰিব,
সি অভিশপ্ত হ'ব।" এই কাৰণে কোনেও আহাৰ গ্ৰহণ নকৰিলে। ২৫
তাৰ পাছত সকলো লোক অৰণ্যলৈ সোমাই গ'ল আৰু তাত মাটিৰ
ওপৰত মৌ আছিল। ২৬ যেতিয়া তেওঁলোক অৰণ্যত সোমাই গৈছিল,
তেতিয়া সেই মৌ বৈ থকা দেখিও কোনেও নাখালে কাৰণ লোকসকলে

সেই শপতলৈ ভয় কৰিলে। ২৭ কিন্তু যোনাথনে তেওঁৰ পিতৃয়ে
লোকসকলক দিয়া শপতৰ কথা শুনা নাছিল। সেই কাৰণে তেওঁ নিজৰ
হাতত থকা লাখুটিৰ আগ মৌ-ছাকৰ মাজত সোমোৱাই দিলে আৰু
হাতত লৈ মুখত দিলে; তাতে তেওঁৰ চকু উজ্জ্বল হ'ল। ২৮ তেতিয়া
লোকসকলৰ মাজৰ এজনে ক'লে, "আপোনাৰ পিতৃয়ে লোকসকলক
শপত দি এই দৃঢ় আজ্ঞা কৰিছিল যে, যিজনে আজি আহাৰ কৰিব, সি
অভিশপ্ত হব; যদিও লোকসকল ভোকত দুৰ্বল হ'য়।" ২৯ তেতিয়া
যোনাথনে ক'লে, "মোৰ পিতৃয়ে ৰাজ্যক সঙ্কটত পেলাইছে। চোৱা, এই
অকণমান মৌ চাকি চোৱাত মোৰ চকু কেনেদৰে উজ্জ্বল হৈ গ'ল! ৩০
কিমান ভাল হ'লহেতেন! আজি যদি শত্ৰুবোৰৰ লুটদ্ৰব্যৰ পৰা পোৱা
আহাৰ লোকসকলে ইচ্ছামতে ভোজন কৰিবলৈ পালেহেঁতেন? কিয়নো
এতিয়াও পলেষ্টীয়াসকলৰ মাজত মহা-সংহাৰ হোৱা নাই।" ৩১
সেইদিনা তেওঁলোকে মিকমচৰ পৰা অয়ালোনলৈকে পলেষ্টীয়াসকলক
আক্ৰমণ কৰিলে। সেয়ে লোকসকল অতিশয় ক্লান্ত হ'ল। ৩২ তাতে
লোকসকল লুভীয়া লোকৰ দৰে লুটদ্ৰব্যৰ ওচৰলৈ দৌৰি গৈ মেৰ,
ছাগলী, গৰু, আৰু দামুৰি ধৰি মাটিত বধ কৰিলে আৰু তেজেৰে সৈতে
মঙহ খাবলৈ ধৰিলে। ৩৩ তেতিয়া তেওঁলোকে চৌলক ক'লে, "চাওক,
লোক সকলে তেজেৰে সৈতে মঙহ ভোজন কৰি যিহোৱাৰ বিৰুদ্ধে পাপ
কৰিছে।" চৌলে ক'লে, "তোমালোক অবিশ্বাসীৰ দৰে কাম কৰিছা,
এতিয়া, মোৰ ওচৰলৈ এটা ডাঙৰ শিল আনা"; ৩৪ চৌলে পুনৰ ক'লে,
"তোমালোকে লোকসকলৰ মাজলৈ যোৱা আৰু এইদৰে তেওঁলোকক
কোৱা, 'তোমালোক প্ৰতিজনে নিজ নিজ গৰু, মেৰ আৰু ছাগলী মোৰ
ওচৰলৈ আনি ইয়াতে বধ কৰি ভোজন কৰা; কিন্তু তেজেৰে সৈতে
মঙহ খাই যিহোৱাৰ বিৰুদ্ধে পাপ নকৰিবা'।" সেয়ে প্ৰত্যেকজন লোকে
নিজ নিজ গৰু লগত আনি সেই ৰাতি সেই ঠাইতে বধ কৰিলে। ৩৫
চৌলে যিহোৱাৰ উদ্দেশ্যে এটা যজ্ঞবেদী নিৰ্মাণ কৰিলে; যিহোৱাৰ
উদ্দেশ্যে তেওঁ নিৰ্মাণ কৰা সেয়ে প্ৰথম বেদি। ৩৬ তাৰ পাছত চৌলে
ক'লে, "আহা আমি এই ৰাতি পলেষ্টীয়াসকলৰ পাছত খেদি গৈ,
ৰাতিপুৱা নোহোৱালৈকে তেওঁলোকৰ বস্তু লুট কৰোঁ আৰু তেওঁলোকৰ

একো অৱশিষ্ট নাৰাখোহক;” তেতিয়া তেওঁলোকে তেওঁক ক’লে,
“আপোনাৰ দৃষ্টিত যি ভাল দেখে, তাকেই কৰক।” তেতিয়া পুৰোহিতে
ক’লে, “আহা, আমি ইয়াতে ঈশ্বৰৰ ওচৰ চাপোঁহক।” ৩৭ তাৰ পাছত
চৌলে ঈশ্বৰ গুৰিত সুধিলে, “মই পলেষ্টীয়াসকলৰ পাছত যামনে?
তুমি সিহঁতক ইস্রায়েলৰ হাতত সমৰ্পণ কৰিবানে?” কিন্তু সেইদিনা
যিহোৱাই উত্তৰ নিদিলে। ৩৮ তেতিয়া চৌলে ক’লে, “হে লোকসকলৰ
অধিপতি সকল, তোমালোক ওচৰ চাপি আহাঁ, আৰু আজিৰ এই পাপ
কি দোষত হ’ল, তাৰ বুজ-বিচাৰ কৰি চোৱা। ৩৯ কিয়নো ইস্রায়েলৰ
উদ্ধাৰকৰ্তা যিহোৱাৰ জীৱনৰ শপত, যদি মোৰ পুত্ৰ যোনাথনৰ দোষত
এয়া হৈছে, তেনেহলে সিও নিশ্চয়কৈ মৰিব।” কিন্তু লোকসকলৰ
মাজত কোনেও তেওঁক উত্তৰ নিদিলে। ৪০ পাছত তেওঁ গোটেই
ইস্রায়েলক ক’লে, “তোমালোক এফালে থাকা, মই আৰু মোৰ পুত্ৰ
যোনাথন আনফালে থাকিম।” তাতে লোকসকলে চৌলক ক’লে,
“আপোনাৰ দৃষ্টিত যি ভাল দেখে, তাকেই কৰক।” ৪১ তেতিয়া চৌলে
ইস্রায়েলৰ ঈশ্বৰ যিহোৱাক ক’লে, প্ৰকৃততে কি হয়, তাক দেখুৱাই
দিয়া। তাতে চিঠি খেলৰ দ্বাৰাই যোনাথন আৰু চৌলক নিৰ্ণয় কৰা হ’ল,
কিন্তু লোক সমূহ এৰা পৰিল। ৪২ তেতিয়া চৌলে ক’লে, “মোৰ আৰু
মোৰ পুত্ৰ যোনাথনৰ মাজত চিঠি খেল কৰা।” তাতে যোনাথনক নিৰ্ণয়
কৰা হ’ল। ৪৩ তেতিয়া চৌলে যোনাথনক ক’লে, “তুমি কি কৰিলা,
সেই বিষয়ে মোক কোৱা;” তাতে যোনাথনে তেওঁক ক’লে, “মোৰ
হাতত থকা লাখুটিৰ আগেৰে যৎকিঞ্চিৎ মৌৰস লৈ সঁচাকৈ চাকিছিলোঁ
হয়; চাওঁক, মই মৰিব লগা হওঁ।” ৪৪ পাছত চৌলে ক’লে, “যদি তুমি
নমৰা, তেনেহলে ঈশ্বৰে মোলৈকে অধিক কৰক, কাৰণ হে যোনাথন
তুমি অৱশ্যে মৰিব লাগিব।” ৪৫ তেতিয়া লোকসকলে চৌলক ক’লে,
“যিজনে ইস্রায়েলৰ মাজত এনে উদ্ধাৰ কাৰ্য সাধন কৰিলে, সেই
যোনাথন মৰিব লাগিব নে? এনে নহওক; যিহোৱাৰ জীৱনৰ শপত,
তেওঁ মুৰৰ এডালি চুলিও মাটিত নপৰিব; কিয়নো তেওঁ আজি ঈশ্বৰেৰে
সৈতে কাৰ্য কৰিলে।” এইদৰে লোকসকলে যোনাথনক ৰক্ষা কৰা
বাবে তেওঁৰ মৃত্যু নহ’ল। ৪৬ পাছত চৌলে পলেষ্টীয়াসকলক খেদি

যোৱাৰ পৰা উভটি আহিল; আৰু ফিলিষ্টীয়া সকলো নিজ নিজ ঠাইলৈ
গুচি গ'ল। ৪৭ চৌলে ইস্রায়েলৰ সম্পূৰ্ণ ক্ষমতা নিজৰ হাতত ল'লে।
তাৰ পাছত ইস্রায়েলৰ চৌদিশে যিমান শত্রু আছিল, সেই সকলোৰে
বিৰুদ্ধে তেওঁ যুদ্ধ কৰিলে। তেওঁ মোৱাব, অম্মোনীয়া, চোবাৰ ৰজা
ইদোম আৰু পলেষ্টীয়াসকলৰ সৈতে যুদ্ধ কৰিলে। তেওঁ যি দিশত
গৈছিল, সেই দিশতে শত্রুৰ ওপৰত জয় লাভ কৰিছিল। ৪৮ চৌল
অতি সাহিয়াল আছিল। তেওঁ অমালেকীয়াসকলকো পৰাজয় কৰিছিল।
আনকি যিসকল শত্রুৱে ইস্রায়েলসকলক লুট কৰিব বিচাৰিছিল,
সেই শত্রুবোৰৰ পৰা ইস্রায়েলক তেওঁ ৰক্ষা কৰিছিল। ৪৯ চৌলৰ
পুত্ৰসকলৰ নাম আছিল, যোনাথন, যিচবী, আৰু মল্কীচুৱা। তেওঁৰ
দুজনী জীয়েক আছিল; ডাঙৰ জনীৰ নাম মেৰব, আৰু সৰুজনীৰ নাম
মীখল। ৫০ চৌলৰ ভাৰ্য্যাৰ নাম আছিল অহীনোৱম, তেওঁ অহামাচৰ
জীয়েক আছিল; আৰু তেওঁৰ সেনাপতিৰ নাম অবনেৰ, তেওঁ চৌলৰ
দদায়েক নেৰৰ পুত্ৰ আছিল। ৫১ চৌলৰ পিতৃৰ নাম আছিল, কীচ। আৰু
অবনেৰৰ পিতৃৰ নাম নেৰ, তেওঁ অবিয়েলৰ পুত্ৰ আছিল। ৫২ চৌলৰ
জীৱনৰ সকলো সময়তে পলেষ্টীয়াসকলৰ সৈতে যুদ্ধ হৈ আছিল; সেয়ে
তেওঁ শক্তিশালী আৰু সাহসী বলৱান পুৰুষক দেখিলেই নিজৰ লগত
ৰাখিছিল।

**১৫** চমূৱেলে চৌলক ক'লে, "যিহোৱাই নিজ প্রজা ইস্রায়েলৰ ওপৰত
ৰজা হ'বৰ অৰ্থে তোমাক অভিষেক কৰিবলৈ মোক পঠাইছিল; এই
হেতুকে এতিয়া তুমি যিহোৱাৰ বাক্য শুনা। ২ বাহিনীসকলৰ যিহোৱাই
এই কথা কৈছে, ইস্রায়েলসকল, মিচৰৰ পৰা ওলাই অহা সময়ত
অমালেকে বাটৰ মাজত তেওঁলোকক কি দৰে বাধা দিছিল, তালৈ
মই লক্ষ্য কৰিলোঁ। ৩ সেয়ে যোৱা, অমালেকক প্রহাৰ কৰা আৰু
তেওঁলোকৰ যি সকলো আছিল তাক নষ্ট কৰা, তেওঁলোকলৈ দয়া
নকৰিবা; কিন্তু পুৰুষ আৰু নাৰী, শিশু আৰু পিয়াহ খোৱা কেঁচুৱা,
গৰু, মেৰ, ছাগলী, উট আৰু গাধ সকলোকে বধ কৰিবা।" ৪ চৌলে
লোকসকলক মাতি আনিলে আৰু টলায়ীমত তেওঁলোকক গণনা
কৰিলে; তাতে দুই লাখ পদাতিক আৰু যিহূদাৰ দহ হাজাৰ লোক

হ'ল। ৫ তাৰ পাছত চৌল অমালেকৰ নগৰলৈ গৈ উপত্যকাত
অপেক্ষা কৰি থাকিল। ৬ তেতিয়া চৌলে কেনীয়াসকলক ক'লে,
"তোমালোক অমালেকীয়াসকলৰ মাজৰ পৰা ওলাই আঁতৰি যোৱা,
তেতিয়া তেওঁলোকৰ লগত তোমালোককো বিনষ্ট নকৰিম। কাৰণ
মিচৰৰ পৰা ইস্ৰায়েলৰ সন্তান সকল ওলাই অহা সময়ত তোমালোকে
তেওঁলোকলৈ দয়া কৰিছিলা।" সেয়ে কেনীয়া সকল অমালেকৰ
মাজৰ পৰা ওলাই গ'ল। ৭ তাৰ পাছত চৌলে হবীলাৰ পৰা মিচৰৰ
পূবফালে থকা চূৰলৈকে অমালেকীয়া সকলক আক্ৰমণ কৰিলে। ৮
তেওঁ অমালেকীয়া সকলৰ ৰজা অগাগক জীৱিত অৱস্থাতে ধৰিলে,
আৰু আন লোক সকলক তৰোৱালৰ ধাৰেৰে ধ্বংস কৰিলে। ৯ কিন্তু
চৌল আৰু লোকসকলে অগাগক আৰু উত্তম উত্তম মেৰ, ছাগলী, গৰু,
হৃষ্টপুষ্ট দামুৰি আৰু মেৰ পোৱালিবোৰ আৰু আটাই উত্তম বস্তুবোৰ
ধ্বংস নকৰিলে, কিন্তু যিবোৰ ঘিণলগা আৰু মূল্যহীন সেইবোৰক
সম্পূৰ্ণ ভাৱে ধংস কৰিলে। ১০ তাৰ পাছত চমূৱেললৈ যিহোৱাৰ
বাক্য আহিল, ১১ "চৌলক যে মই ৰজা পাতিলোঁ তাৰ বাবে মই
দুখিত; কিয়নো তেওঁ মোৰ পৰা বিমুখ হ'ল আৰু মোৰ আজ্ঞাবোৰ
পালন নকৰিলে।" তেতিয়া চমূৱেলৰ খং উঠিল, তেওঁ গোটেই ৰাতি
যিহোৱাৰ আগত ক্ৰন্দন কৰিলে। ১২ চমূৱেল ৰাতিপুৱাতে উঠি চৌলৰ
লগত সাক্ষাৎ কৰিবলৈ গ'ল। কিন্তু চমূৱেলক এই কথা কোৱা হ'ল,
"চৌলে কৰ্মিললৈ আহি নিজৰ কাৰণে এটা জয়স্তম্ভ স্থাপন কৰিলে,
আৰু তাৰ পৰা ঘূৰি গিলগললৈ গুচি গ'ল।" ১৩ তাৰ পৰা চমূৱেল
চৌলৰ ওচৰলৈ আহিল, চৌলে তেওঁক ক'লে, "আপুনি যিহোৱাৰ
আশীৰ্ব্বাদ-প্ৰাপ্ত হওঁক; মই যিহোৱাৰ আজ্ঞা পালন কৰিলোঁ।" ১৪
চমূৱেলে ক'লে, "তেন্তে মোৰ কাণত মেৰ আৰু ছাগলীৰ বেবেনি হৈছে
কিয়? আৰু গৰুৰ হেম্বেলনি মই শুনিছোঁ, কিয়?" ১৫ চৌলে ক'লে,
"সেইবোৰ অমালেকীয়া সকলৰ পৰা অনা হৈছে; কিয়নো নিজ ঈশ্বৰ
যিহোৱাৰ উদ্দেশ্যে বলিদান কৰিবৰ কাৰণে লোকসকলে উত্তম উত্তম
মেৰ ও ছাগলী, আৰু উত্তম উত্তম গৰু ৰাখিলে; কিন্তু অৱশিষ্টবোৰ
আমি ধ্বংস কৰিলোঁ।" ১৬ চমূৱেলে চৌলক ক'লে, "ৰ'বা, যোৱা ৰাতি

যিহোৱাই মোক যি ক'লে, তাক মই তোমাক কওঁ।" চৌল তেওঁক
ক'লে, "কওক!" ১৭ চমূৱেলে ক'লে, "যদিও তুমি নিজৰ দৃষ্টিত সৰু
আছিলা, তথাপি ইস্রায়েলৰ ফৈদ সকলৰ মাজত তোমাক মুখ্য কৰা
নহ'ল নে?" আৰু যিহোৱাই তোমাক ইস্রায়েলৰ ওপৰত ৰজা অভিষেক
কৰিলে। ১৮ যিহোৱাই তোমাক তোমাৰ পথত পঠাই দি ক'লে, যোৱা
পাপী লোকসকলক সম্পূৰ্ণভাৱে ধংস কৰা, আৰু অমালেকীয়াসকল
সম্পূৰ্ণ ভাৱে ধ্বংস নোহোৱালৈকে তেওঁলোকৰ বিৰুদ্ধে যুদ্ধ কৰা।
১৯ তেনেহলে তুমি যিহোৱাৰ বাক্য কিয় পালন কৰা নাছিলা, কিন্তু
তাৰ পৰিবৰ্তে কিয় লুট কৰা বস্তু জব্দ কৰি যিহোৱাৰ দৃষ্টিত কিয় পাপ
কৰিলা?" ২০ চৌলে চমূৱেলক ক'লে, "মই অৱশ্যে যিহোৱাৰ বাক্যলৈ
পালন কৰিলোঁ। আৰু যিহোৱাই মোক যি বাটেদি পঠাইছিল, সেই
বাটেদি গ'লো। অমালেকৰ ৰজা অগাগক মই বন্দী কৰিলোঁ, আৰু
অমালেকীয়াসকলক সম্পূৰ্ণভাৱে ধ্বংস কৰিলোঁ। ২১ কিন্তু লোকসকলে
গিলগলত আপোনাৰ ঈশ্বৰ যিহোৱাৰ উদ্দেশ্যে বলিদান কৰিবৰ অৰ্থে
সম্পূৰ্ণভাৱে ধংস কৰিবলগীয়া বস্তুৰ মাজৰ পৰা উত্তম যি ভাগ, যেনে
মেৰ, ছাগলী, আৰু গৰু আনিলে।" ২২ চমূৱেলে ক'লে, "যিহোৱাৰ বাক্য
পালন কৰিলে যেনেকৈ তেওঁ সন্তুষ্ট হয়, তেনেকৈ হোম আৰু বলিদানত
জানো তেওঁ সন্তুষ্ট হ'য়? বলিদানতকৈ আজ্ঞাপালন কৰা উত্তম, আৰু
মেৰৰ তেলতকৈ বাক্য শুনা উত্তম। ২৩ কিয়নো বিদ্ৰোহ আচৰণ কৰা,
মঙ্গলচোৱা পাপৰ তুল্য; আৰু আঁকোৰগোঁজ হোৱা, পাপিষ্ঠ আৰু অসাধু
কাৰ্যৰ দৰে, - কাৰণ তুমি যিহোৱাৰ বাক্য অগ্ৰাহ্য কৰিলা, সেয়ে তেৰোঁ
তোমাক ৰজা পদৰ পৰা অগ্ৰাহ্য কৰিলে।" ২৪ তাৰ পাছত চৌলে
চমূৱেলক ক'লে, "মই পাপ কৰিলোঁ; কিয়নো যিহোৱাৰ আজ্ঞা আৰু
আপোনাৰ বাক্য লঙ্ঘন কৰিলোঁ; কাৰণ মই লোকসকলক ভয় কৰি
তেওঁলোকৰ কথা শুনিলোঁ। ২৫ এতিয়া, মই বিনয় কৰোঁ, মোৰ পাপ
ক্ষমা কৰক আৰু আপুনি মোৰ লগত ঘুৰি আহক যাতে মই যিহোৱাৰ
প্ৰশংসা কৰিব পাৰোঁ।" ২৬ চমূৱেলে চৌলক ক'লে, "মই তোমাৰ
লগত ঘুৰি নাযাওঁ; কিয়নো তুমি যিহোৱাৰ বাক্য অগ্ৰাহ্য কৰিলা,
আৰু যিহোৱায়ো তোমাক ইস্রায়েলৰ ওপৰত হোৱা ৰজাপদৰ পৰা

অগ্ৰাহ্য কৰিলে।” ২৭ যেতিয়া চমূৱেলে যাবলৈ মুখ ঘূৰালে, তেতিয়া
চৌলে তেওঁৰ কাপোৰৰ আগভাগ ধৰিলে, আৰু সেইয়া ফাতি এৰাই
গ’ল। ২৮ চমূৱেলে তেওঁক ক’লে, “যিহোৱাই আজি তোমাৰ পৰা
ইস্ৰায়েলৰ ৰাজত্ব টানি ফালিলে, আৰু তোমাতকৈয়ো উত্তম তোমাৰ
এজন চুবুৰীয়াক দিলে। ২৯ আৰু ইস্ৰায়েলৰ যিহোৱাই কেতিয়াও
মিছা কথা নকয়, বা তেওঁ মন সলনি নকৰে; কাৰণ তেওঁ মানুহ নহয়
যে তেওঁ মন সলনি কৰিব।” ৩০ তেতিয়া চৌলে ক’লে, “মই পাপ
কৰিলোঁ; তথাপি মই বিনয় কৰোঁ, বৃদ্ধ লোকসকলৰ আৰু ইস্ৰায়েলৰ
আগত মোৰ মান ৰাখক। মোৰ লগত ঘুৰি আহক, তাতে মই যেন
আপোনাৰ ঈশ্বৰ যিহোৱাৰ প্ৰশংসা কৰিব পাৰোঁ।” ৩১ সেয়ে চমূৱেলে
চৌলৰ পাছত ঘুৰি গ’ল, আৰু চৌলে যিহোৱাৰ প্ৰশংসা কৰিলে। ৩২
তাৰ পাছত চমূৱেলে ক’লে, “অমালেকৰ ৰজা অগাগক মোৰ ওচৰলৈ
আনা।” অগাগে আনন্দ মনেৰে তেওঁৰ ওচৰলৈ আহিল, আৰু ক’লে,
“নিশ্চয় মৃত্যু যন্ত্ৰণা দূৰ হ’ল।” ৩৩ চমূৱেলে উত্তৰ দি ক’লে, “যিদৰে
তোমাৰ তৰোৱালে অনেক মহিলাক সন্তানহীনা কৰিলে, সেইদৰে
মহিলাসকলৰ মাজত তোমাৰ মাতৃও সন্তানহীনা হ’ব।” এইদৰে কৈ,
চমূৱেলে গিলগলত যিহোৱাৰ সন্মুখত অগাগক ডোখৰ ডোখৰ কৰি
কাটিলে। ৩৪ তাৰ পাছত চমূৱেল ৰামালৈ গ’ল আৰু চৌল গিবিয়াত
থকা নিজৰ ঘৰলৈ গ’ল। ৩৫ কিন্তু তেতিয়াৰে পৰা মৃত্যুলৈকে চমূৱেলে
চৌলক পুনৰ দেখা নকৰিলে, কাৰণ চমূৱেলে চৌলৰ বাবে শোক
কৰিলে। আৰু যিহোৱাই ইস্ৰায়েলৰ ওপৰত চৌলক যে ৰজা পাতিলে,
তাৰ বাবে তেওঁ বেজাৰ কৰিলে।

**১৬** যিহোৱাই চমূৱেলক ক’লে, “মই চৌলক অগ্ৰাহ্য কৰি ইস্ৰায়েলৰ
ওপৰত দিয়া তেওঁৰ ৰাজপদ গুচাই দিয়া দেখি তুমি নো কিমান সময়
চৌলৰ কাৰণে শোক কৰি থাকিবা? তোমাৰ শিংটো তেলেৰে পুৰ কৰি
লোৱা; এতিয়া মই তোমাক বৈৎলেহেমীয়া যিচয়ৰ ওচৰলৈ পঠাওঁ;
কিয়নো মই তেওঁৰ পুত্ৰ সকলৰ মাজৰ এজনক ৰজা হ’বৰ অৰ্থে বাচি
ললোঁ।” ২ চমূৱেলে ক’লে, “মই কেনেকৈ যাম? চৌলে যদি এই কথা
শুনে, তেন্তে তেওঁ মোক বধ কৰিব।” যিহোৱাই ক’লে, “তুমি এজনী

চেঁউৰী গৰু লগত লৈ যোৱা, আৰু ক’বা, মই যিহোৱাৰ উদ্দেশে বলিদান
কৰিবলৈ আহিছোঁ।” ৩ সেই যজ্ঞলৈ যিচয়ক নিমন্ত্ৰণ কৰিবা, আৰু তুমি
কি কৰিব লাগে, মই তোমাক দেখুৱাম; মই তোমাৰ আগত যিজনৰ
বিষয়ে ক’ম, তুমি মোৰ কাৰণে সেই জনকেই অভিষেক কৰিবা।”
৪ চমূৱেলে যিহোৱাই কোৱা অনুসাৰে কৰিলে আৰু বৈৎলেহেমলৈ
গ’ল। নগৰৰ বৃদ্ধসকলে তেওঁক লগ ধৰিবলৈ আহি কঁপি কঁপি তেওঁক
ক’লে, “আপুনি শান্তিৰ অৰ্থে আহিছে নে?” ৫ তেওঁ ক’লে, “শান্তি
হওক; মই যিহোৱাৰ উদ্দেশে বলিদান দিবলৈ আহিছোঁ। বলিদানৰ
অৰ্থে তোমালোকে নিজকে পবিত্ৰ কৰি মোৰ লগত আহাঁ।” আৰু তেওঁ
যিচয়ক আৰু তেওঁৰ পুত্ৰসকলক পবিত্ৰকৃত কৰিলে আৰু বলিদানৰ
কাৰণে নিমন্ত্ৰণ কৰিলে। ৬ তাৰ পাছত তেওঁলোক যেতিয়া আহিল,
তেতিয়া চমূৱেলে ইলীয়াবলৈ চাই মনতে ক’লে, “যিহোৱাৰ আগত
উপস্থিত হোৱা এই মানুহেই অৱশ্যে তেওঁৰ অভিষিক্ত জন।” ৭ কিন্তু
যিহোৱাই চমূৱেলক ক’লে, “তুমি তেওঁৰ বাহ্যিকতালৈ বা উচ্চতালৈ
দৃষ্টি নকৰিবা; কাৰণ মই তেওঁক অগ্ৰাহ্য কৰিলোঁ। কাৰণ মানুহে
যেনেকৈ চাই যিহোৱাই তেনেকৈ নাচায়; কাৰণ মানুহে, যি দেখা পায়,
তালৈ চায়, কিন্তু যিহোৱাই মানুহৰ অন্তৰলৈ চায়।” ৮ পাছত যিচয়ে
অবীনাদবক মাতি আনিলে আৰু চমূৱেলৰ সন্মুখেদি যাবলৈ দিলে।
তাতে চমূৱেলে ক’লে, “যিহোৱাই এওঁকো মনোনীত কৰা নাই।” ৯
তাৰ পাছত যিচয়ে চম্মাক আগেদি যাবলৈ দিলে; আৰু চমূৱেলে ক’লে,
যিহোৱাই এওঁকো মনোনীত কৰা নাই। ১০ এইদৰে যিচয়ে তেওঁৰ
সাত জন পুত্ৰক চমূৱেলৰ আগেদি যাবলৈ দিলে; কিন্তু চমূৱেলে যিচয়ক
ক’লে, “যিহোৱাই এওঁলোকৰ এজনকো মনোনীত কৰা নাই।” ১১ তাৰ
পাছত চমূৱেলে যিচয়ক ক’লে, “তোমাৰ সকলো পুত্ৰ ইয়াতে আছে
নে?” তেওঁ উত্তৰ দি ক’লে, “সকলোতকৈ সৰুজন ইয়াত নাই কিন্তু
তেওঁ মেৰ-ছাগৰ ৰখীয়া হৈ মেৰ-ছাগ চৰাই আছে।” চমূৱেলে যিচয়ক
ক’লে, “মানুহ পঠিয়াই তেওঁক মাতি আনা; কাৰণ তেওঁ নহালৈকে
আমি নবহোঁ।” ১২ যিচয়ে মানুহ পঠিয়াই তেওঁক মাতি অনালে।
তেওঁ স্বাস্থ্যৱান, সুনয়ন, আৰু দেখিবলৈ সুদৰ্শন আছিল। যিহোৱাই

ক'লে, "উঠা, তেওঁক অভিষেক কৰা; কাৰণ এওঁৱেই সেই জন।" ১৩
তেতিয়া চমূৱেলে তেল ভৰোৱা শিংটো ল'লে, আৰু ককায়েকসকলৰ
আগত তেওঁকেই অভিষেক কৰিলে; সেই দিনাৰ পৰা যিহোৱাৰ আত্মা
দায়ূদত স্থিতি হ'ল। তাৰ পাছত চমূৱেল উঠি ৰামালৈ গ'ল। ১৪ তাৰ
পাছত যিহোৱাৰ আত্মা চৌলৰ পৰা আঁতৰি গ'ল আৰু তাৰ পৰিবৰ্তে
যিহোৱাৰ পৰা অহা এক অনিষ্ট কাৰক আত্মাই আহি তেওঁক ব্যাকুল
কৰিবলৈ ধৰিলে। ১৫ চৌলৰ দাসবোৰে তেওঁক ক'লে, "চাওক, ঈশ্বৰৰ
পৰা অহা এক অনিষ্ট কাৰক আত্মাই আপোনাক ব্যাকুল কৰিছে। ১৬
এই হেতুকে আমাৰ প্ৰভুৱে আপোনাৰ আগত থকা দাসবোৰক এজন
নিপূণ বীণা বজাওঁতা বিচাৰিবলৈ আজ্ঞা কৰক; পাছত যি সময়ত
ঈশ্বৰৰ পৰা অহা সেই আত্মাই আপোনাক ধৰিব সেই সময়ত সেই
মানুহে হাতেৰে বীণা বজালে আপুনি উপশম পাব।" ১৭ তেতিয়া চৌলে
তেওঁৰ দাসবোৰক আজ্ঞা কৰিলে, "ভালকৈ বীণা বজাব পৰা এজন
লোক বিচাৰি যোৱা আৰু মোৰ ওচৰলৈ আনা।" ১৮ দাসবোৰৰ এজনে
ক'লে, "চাওক, বৈৎলেহেমীয়া যিচয়ৰ এজন পুতেকক দেখিলোঁ; তেওঁ
বীণা বজোৱাত পাৰ্গত, পৰাক্ৰমী বীৰ, যুদ্ধাৰু, কথা কোৱাত বিবেচক,
ৰূপৱান আৰু যিহোৱা তেওঁৰ লগত আছে।" ১৯ সেয়ে চৌলে যিচয়ৰ
ওচৰলৈ বাৰ্তাবাহকক পঠিয়াই কোৱালে, "দায়ুদ নামেৰে তোমাৰ যি
পুত্ৰই মেৰ-ছাগ চৰাই আছে, তেওঁক মোৰ ওচৰলৈ পঠাই দিয়া।"
২০ যিচয়ে এটা গাধৰ পিঠিত পিঠা, এক বটল দ্ৰাক্ষাৰস, আৰু এটা
ছাগলী পোৱালি বোজাই দি তেওঁৰ পুত্ৰ দায়ূদৰ হাতত দিলে আৰু
তেওঁক চৌলৰ ওচৰলৈ পঠাই দিলে। ২১ দায়ুদ চৌলৰ ওচৰলৈ আহি
তেওঁৰ কামত যোগ দিলে, তেওঁ দায়ূদক অতিশয় ভাল পাবলৈ ধৰিলে;
আৰু দায়ুদ তেওঁৰ অস্ত্ৰবাহক হ'ল। ২২ তাৰ পাছত চৌলে যিচয়ক কৈ
পঠালে, "মই বিনয় কৰোঁ, দায়ূদক মোৰ লগত থাকিবলৈ দিয়া; কাৰণ
তেওঁ মোৰ দৃষ্টিত অনুগ্ৰহপ্ৰাপ্ত হ'ল।" ২৩ সেয়ে ঈশ্বৰৰ পৰা অহা
অনিষ্ট কাৰক আত্মাই যেতিয়া চৌলক ধৰে, তেতিয়া দায়ূদে বীণা লৈ
হাতেৰে বজায়; তাতে চৌল সুস্থ হয়, আৰু উপশম পায়, আৰু সেই
অনিষ্ট কাৰক আত্মা তেওঁৰ পৰা আঁতৰি যায়।

১৭ পলেষ্টীয়াসকলে যুদ্ধ কৰিবলৈ তেওঁলোকৰ সৈন্যসকলক গোট
খোৱালে। যিহূদাৰ অধিকাৰত থকা চোকোত তেওঁলোক একে লগ
হ'ল। চোকো আৰু অজেকাৰ মাজত এফচদম্মীমত ছাউনি পাতিলে।
২ চৌল আৰু ইস্রায়েলৰ লোকসকলে গোট খাই এলা উপত্যকাত
ছাউনি পাতিলে আৰু পলেষ্টীয়াসকলৰ বিৰুদ্ধে সৈন্যসকলক শাৰী পাতি
থিয় কৰালে। ৩ তাতে পলেষ্টীয়াসকলে এফালে এটা পর্বতত আৰু
ইস্রায়েলসকলে আনফালে আন এটা পর্বতত থিয় হ'ল, আৰু উভয়ৰে
মাজত এক উপত্যকা আছিল। ৪ তাৰ পাছত গাত নিবাসী এজন বীৰ
পলেষ্টীয়াসকলৰ ছাউনিৰ পৰা ওলাল, তেওঁৰ নাম গলিয়াথ, তেওঁ
চাৰে ছয় হাত ওখ আছিল। ৫ তেওঁৰ মূৰত পিতলৰ শিৰোৰক্ষক
আছিল, আৰু মাছৰ বাকলিৰ দৰে পিতলৰ কবচ পিন্ধিছিল আৰু সেই
কবচৰ ওজন পাঁচ হাজাৰ চেকল আছিল। ৬ তেওঁৰ ভৰি পিতলৰ
পতাৰে আবৃত আছিল আৰু তেওঁৰ দুই কান্ধৰ মাজত এপাত পিতলৰ
চুটি যাঠী আছিল। ৭ তেওঁৰ বৰছাৰ লাঠিডাল, তাঁত শালৰ টোলোঠাৰ
সমান ডাঙৰ আছিল। তেওঁৰ লোহাৰ বৰছাপাতৰ ওজন ছশ চেকল
আছিল। তেওঁৰ ঢাল ধৰাজন তেওঁৰ আগে আগে গৈছিল। ৮ তেওঁ
আহি থিয় হ'ল আৰু ইস্রায়েলৰ সৈন্য শ্রেণীক লক্ষ্য কৰি ৰিঙিয়াই
ক'লে, "তহতে যুদ্ধ কৰিবৰ অর্থে শাৰী পাতি বাহিৰলৈ কিয় ওলাই
আহিছ? মই জানো এজন পলেষ্টীয়া নহওঁ? আৰু তহঁত জানো চৌলৰ
দাস নহয়? তহঁতে নিজৰ বাবে এজন মানুহ বাচি ল' আৰু তাক মোৰ
ওচৰলৈ আহিবলৈ দে। ৯ সি যদি মোৰ সৈতে যুদ্ধ কৰি জয়ী হৈ
মোক বধ কৰে, তেনেহলে আমি সকলো তহঁতৰ বন্দী হ'ম; কিন্তু
যদি মই তাক পৰাজয় কৰি তাক বধ কৰোঁ, তেনেহলে তহঁত আমাৰ
বন্দী হৈ আমাৰ দাসৰ কাম কৰিবি।" ১০ পলেষ্টীয়াজনে পুনৰ ক'লে,
"আজি মই ইস্রায়েলৰ সৈন্যসকলক প্রত্যাহ্বান জনাইছোঁ, তহঁতে মোক
এজন মানুহ দে, যাতে আমি দুয়ো একেলগে যুদ্ধ কৰোঁ।" ১১ যেতিয়া
পলেষ্টীয়াজনে কোৱা কথা চৌল আৰু ইস্রায়েলৰ লোকসকলে শুনিলে,
তেতিয়া তেওঁলোক নিৰাশ হ'ল আৰু অতিশয় ভয়াতুৰ হ'ল। ১২ দায়ুদ
যিহূদাৰ বৈৎলেহেম নিবাসী যিচয় নামেৰে সেই ইফ্রাথীয়া পুৰুষৰ পুত্ৰ

আছিল; তেওঁৰ আঠজন পুত্ৰ আছিল, যিচয় চৌলৰ সময়ত বৃদ্ধ আছিল
আৰু লোকসকলৰ মাজত বয়সস্থ পুৰুষ আছিল। ১৩ যিচয়ৰ তিনিজন
ডাঙৰ সন্তান চৌলৰ পাছে পাছে যুদ্ধলৈ গৈছিল; আৰু যুদ্ধলৈ যোৱা
তেওঁৰ তিনিজন পুত্ৰৰ নাম আছিল, প্ৰথমজন ইলীয়াব, দ্বিতীয়জনৰ
নাম অবীনাদৰ, আৰু তৃতীয়জনৰ নাম চম্মা। ১৪ দায়ুদ সকলোতকৈ
সৰু আছিল। আৰু ডাঙৰ তিনিজন চৌলৰ পাছত চলোঁতা আছিল।
১৫ কিন্তু দায়ূদে চৌলৰ ওচৰৰ পৰা আহি বৈৎলেহেমত থকা পিতৃৰ
মেৰ-ছাগ চৰাবৰ বাবে অহা যোৱা কৰি থাকিছিল। ১৬ তাতে সেই
পলেষ্টীয়া মানুহজনে চল্লিশ দিনলৈকে ৰাতিপুৱা আৰু গধূলি বেলা
ওচৰলৈ আহি নিজকে দেখা দি আছিল। ১৭ সেই সময়ত যিচয়ে
তেওঁৰ পুতেক দায়ূদক ক'লে, “তুমি এক ঐফা ভজা শস্য আৰু দহটা
পিঠা লৈ, ছাউনিত থকা ককায়েৰা সকলৰ ওচৰলৈ যোৱা।” ১৮
এই দহ লদা পনীৰ তেওঁলোকৰ সেনাপতিজনৰ বাবে লৈ যোৱা।
আৰু তোমাৰ ককায়েৰাহঁতৰ মঙ্গল সুধিবা, আৰু তেওঁলোকৰ পৰা
কোনো চিন আনিবা। ১৯ চৌল আৰু তেওঁলোকৰ লগতে ইস্ৰায়েলৰ
সকলো লোকে এলা উপত্যকাত পলেষ্টীয়াসকলৰ সৈতে যুদ্ধ কৰি
আছে। ২০ পাছত দায়ূদে ৰাতিপুৱা সোনকালে উঠিল আৰু মেৰ-
ছাগবোৰ এজন ৰখীয়াৰ হাতত গতাই দিলে আৰু পিতৃ যিচয়ৰ আজ্ঞা
অনুসাৰে বস্তুবোৰ লগত লৈ তালৈ গ'ল। যি সময়ত সৈন্যই ৰণলৈ
ওলাই ৰণৰ কাৰণে ৰণ-ধ্বনি কৰিছিল, সেই সময়তে তেওঁ ছাউনি
আহি পাইছিল। ২১ তেতিয়া ইস্ৰায়েল আৰু পলেষ্টীয়াসকলে সন্মুখা-
সন্মুখি হৈ ৰণৰ বাবে শাৰী পাতি আছিল। ২২ পাছত দায়ূদে বস্তু-
ৰখীয়াৰ হাতত নিজৰ বস্তুবোৰ থৈ, সৈন্যশ্ৰেণীৰ মাজলৈ দৌৰি গ'ল
আৰু নিজৰ ককায়েকসকলক মঙ্গলবাদ কৰিলে; ২৩ আৰু তেওঁলোকৰ
লগত কথা পাতি থাকোতেই গাত নিবাসী গলিয়াথ নামৰ পলেষ্টীয়া
মহাবীৰজন ফিলিষ্টীয়াসকলৰ সৈন্যবাহিনীৰ পৰা বাহিৰলৈ ওলাই
আহিল আৰু আগতে কোৱা দৰেই কথা ক'বলৈ ধৰিলে। তাতে দায়ূদে
সেই কথা শুনিবলৈ পালে। ২৪ যেতিয়া ইস্ৰায়েলৰ লোকসকলে সেই
ব্যক্তিজনক দেখিলে, তেতিয়া তেওঁলোক তেওঁৰ সন্মুখৰ পৰা পলাল

আৰু অতিশয় ভয় কৰিলে। ২৫ আৰু ইস্রায়েলৰ লোকসকলে পৰস্পৰৰ
মাজত ক'বলৈ ধৰিলে, "ওপৰলৈ উঠি অহা সেই মানুহজনক তুমি
দেখিছা নে? তেওঁ ইস্রায়েলক ইতিকিং কৰিবলৈ আহিছে। তেওঁক
যিকোনোৱে বধ কৰিব, ৰজাই তেওঁক অধিক ধনেৰে ধনৱান কৰিব,
আৰু তেওঁৰ লগত নিজৰ জীয়েকক বিয়া দিব, আৰু ইস্রায়েলৰ মাজত
তেওঁৰ পিতৃ-বংশক স্বাধীন কৰিব।" ২৬ তেতিয়া দায়ুদে নিজৰ ওচৰত
থিয় হৈ থকা লোকসকলক সুধিলে, "সেই পলেষ্টীয়াজনক যিজনে বধ
কৰি ইস্রায়েলৰ পৰা অপমান দূৰ কৰিব, সেইজনলৈ কি কৰা যাব?
কিয়নো সেই অচুন্নৎ ফিলিষ্টীয়াজন নো কোন, সি যে জীৱন্ত ঈশ্বৰৰ
সৈন্যসকলক ইতিকিং কৰিব?" ২৭ তেতিয়া লোকসকলে আগতে
কোৱাৰ দৰে তেওঁক পুনৰ ক'লে, "তেওঁক বধ কৰাজনলৈ এইদৰে
কৰা হ'ব।" ২৮ লোকসকলৰ সৈতে দায়ূদে কথা পাতি থাকোতে
তেওঁৰ ডাঙৰ ককায়েক ইলীয়াবে তেওঁৰ কথা শুনি তেওঁলৈ ক্রুদ্ধ হৈ
ক'লে, "তই ইয়ালৈ কিয় নামি আহিলি?" মৰুপ্রান্তৰ মাজত সেই মেৰ-
ছাগকেইটা কাৰ ওচৰত থৈ আহিলি? তোৰ অহংকাৰ আৰু মনৰ দুষ্টতা
মই জানো, তই কেৱল যুদ্ধ চাবলৈহে ইয়ালৈ নামি আহিলি।" ২৯
দায়ূদে ক'লে, "মই এতিয়া কি কৰিলোঁ? কেৱল এটা প্রশ্নহে সুধিছোঁ,
নহয় জানো?" ৩০ তাৰ পাছত তেওঁ তেওঁৰ পৰা আন জনৰ মূখৰ ফালে
ঘূৰি একে দৰেই সুধিলে; তাতে লোকসকলে তেওঁক আগেয়ে কোৱাৰ
দৰেই উত্তৰ দিলে। ৩১ দায়ূদে কোৱা কথা যেতিয়া লোকসকলে
শুনিলে, তেতিয়া সৈন্যসকলে গৈ চৌলৰ আগত সেই কথা জনালে।
তেতিয়া তেওঁ দায়ূদক মাতি অনালে। ৩২ পাছত দায়ূদে চৌলক ক'লে,
"তেওঁৰ বাবে কাৰো মন হতাশ নহওক; আপোনাৰ এই দাসে গৈ
সেই পলেষ্টীয়াজনৰ লগত যুদ্ধ কৰিব।" ৩৩ চৌলে দায়ূদক ক'লে,
"তুমি সেই পলেষ্টীয়াজনৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ অসমৰ্থ; কাৰণ তুমি
কেৱল এজন যুৱক, আৰু তেওঁ যুৱক অৱস্থাৰে পৰা এজন যুদ্ধাৰু।"
৩৪ কিন্তু দায়ূদে চৌলক ক'লে, "আপোনাৰ এই দাসে পিতৃৰ মেৰ-
ছাগ চৰাওঁতে, এটা সিংহ আৰু এটা ভালুকে আহি জাকৰ মাজৰ
পৰা মেৰ-ছাগ ধৰি লওঁতে; ৩৫ মই তাৰ পাছত খেদি গৈ তাক

প্ৰহাৰ কৰিলোঁ আৰু তাৰ মুখৰ পৰা সেই মেৰ-ছাগ ৰক্ষা কৰিলোঁ;
তাৰ পাছত সি মোৰ বিৰুদ্ধে উঠি থিয় হ'ল, আৰু মই তাৰ ডাড়িত
ধৰি আঘাত কৰি তাক বধ কৰিলোঁ। ৩৬ আপোনাৰ দাসে সিংহ
আৰু ভালুক দুয়োকো মাৰিলে; এই অচুন্নৎ পলেষ্টীয়াজন সেই দুটাৰ
মাজৰ এটাৰ নিচিনা হ'ব, কাৰণ সি জীৱন্ত ঈশ্বৰৰ সৈন্যসকলক
ইতিকিং কৰিছে।" ৩৭ দায়ূদে ক'লে, "যিজন সৰ্ব্বশক্তিমান ঈশ্বৰে
সিংহ আৰু ভালুকৰ হাতৰ পৰা মোক ৰক্ষা কৰিলে, সেই যিহোৱাই
সেই পলেষ্টীয়াজনৰ হাতৰ পৰাও মোক উদ্ধাৰ কৰিব।" তাতে চৌলে
দায়ূদক ক'লে, "যোৱা, যিহোৱা তোমাৰ সঙ্গী হওক।" ৩৮ চৌলে
নিজৰ সাজেৰে দায়ূদক সজাই তেওঁৰ মূৰত পিতলৰ শিৰোৰক্ষক আৰু
গাত কবচ পিন্ধালে। ৩৯ তাৰ পাছত দায়ূদে নিজৰ সাজৰ ওপৰত
তেওঁৰ তৰোৱাল বান্ধি ল'বলৈ চেষ্টা কৰিলে; কাৰণ তেওঁ আগেয়ে
এইবোৰ পিন্ধাৰ অভ্যাস কৰা নাছিল। পাছত দায়ূদে চৌলক ক'লে,
"মই এইবোৰৰ পিন্ধি বাহিৰলৈ গৈ যুদ্ধ কৰিব নোৱাৰোঁ, কাৰণ মই
এইবোৰৰ অভ্যাস কৰা নাই।" সেয়ে দায়ূদে সেইবোৰ সোলোকাই
হ'ল। ৪০ তাৰ পাছত তেওঁ নিজৰ লাখুটি হাতত ল'লে, আৰু জুৰিৰ
পৰা পাঁচোটা শীতল শিল বাচি লৈ, সেইবোৰ মেৰ-ছাগ ৰখীয়াৰ
লাগতীয়াল বস্তু থোৱা জোলোঙাত ভৰাই ল'লে; আৰু ফিঙ্গাগছ হাতত
লৈ সেই পলেষ্টীয়াজনৰ ওচৰলৈ গ'ল। ৪১ তাতে সেই পলেষ্টীয়াজনে
আগবাঢ়ি আহি দায়ূদৰ ওচৰ চাপিল আৰু তেওঁৰ ঢালবাহীজন তেওঁৰ
আগে আগে আহি আছিল। ৪২ তাৰ পাছত পলেষ্টীয়াজনে চাৰিওফালে
চাই দায়ূদক দেখা পালে আৰু তেওঁ তেওঁক হেয়জ্ঞান কৰিলে; কাৰণ
তেওঁ কেৱল এজন ল'ৰা, তেওঁৰ বৰণ অলপ ৰঙচুৱা, আৰু মুখ সুন্দৰ
আছিল। ৪৩ তাতে সেই পলেষ্টীয়াজনে দায়ূদক ক'লে, "মই এটা
কুকুৰ নেকি যে, তই লাখুটি লৈ মোৰ ওচৰলৈ আহিছ?" আৰু সেই
পলেষ্টীয়াজনে নিজ দেৱতাবোৰৰ নাম লৈ দায়ূদক শাও দিলে। ৪৪
পলেষ্টীয়াজনে দায়ূদক ক'লে, "তই মোৰ ওচৰলৈ আহ; মই তোৰ
মাংস আকাশৰ চৰাইবোৰক আৰু মাটিৰ পশুবোৰক দিওঁ।" ৪৫
দায়ূদে সেই পলেষ্টীয়াজনক উত্তৰ দি ক'লে, "তুমি তৰোৱাল, বৰছা,

আৰু যাঠি লৈ মোৰ ওচৰলৈ আহিছা। কিন্তু মই হ'লে, বাহিনীসকলৰ
যিহোৱা, ইস্রায়েলৰ সৈন্যসকলৰ ঈশ্বৰৰ নামেৰে আৰু তুমি যাক
ইতিকিং কৰিছা, তেওঁৰ নামেৰে তোমাৰ ওচৰলৈ আহিছোঁ। ৪৬ আজি
যিহোৱাই তোমাক মোৰ হাতত শোধাই দিব; আৰু মই তোমাক আঘাত
কৰি তোমাৰ মূৰ ছেদন কৰিম, আৰু পলেষ্টীয়াসকলৰ সৈন্য সমূহৰ
শৱ আজি মই আকাশৰ চৰাই আৰু বনৰীয়া জন্তুবোৰক দিম; তাতে
ইস্রায়েলৰ মাজত যে এজন ঈশ্বৰ আছে, ইয়াকে গোটেই পৃথিৱীয়ে
জানিব। ৪৭ আৰু যিহোৱাই তৰোৱাল আৰু যাঠিৰ দ্বাৰাই যে নিস্তাৰ
নকৰে, তাকো এই সকলো সমাজে জানিব; কিয়নো যুদ্ধ যিহোৱাৰেই,
আৰু তেওঁ তোমালোকক আমাৰ হাতত সমৰ্পণ কৰিব।" ৪৮ পাছত সেই
পলেষ্টীয়াই আগবাঢ়ি আহি দায়ূদক লগ পাবলৈ বিচাৰোতে, দায়ূদেও
বেগাই পলেষ্টীয়াজনক লগ পাবৰ বাবে সেনাবাহিনীটোৰ দিশে বেগাই
আগবাঢ়ি গ'ল। ৪৯ তাৰ পাছত দায়ূদে তেওঁৰ জোলোঙাত হাত সুমুৱাই
এটা শিল উলিয়ালে আৰু ফিঙ্গাত থৈ পাক দি সেই পলেষ্টীয়াজনৰ
কপালত এনেকৈ মাৰিলে যে, সেই শিল তাৰ কপালত বহি গ'ল;
তাতে সি মাটিত তললৈ মুখ কৰি পৰি গ'ল। ৫০ এইদৰে দায়ূদে
এগছ ফিঙ্গা আৰু এটা শিলেৰে সেই পলেষ্টীয়াজনক জয় কৰিলে,
আৰু তাক আঘাত কৰি বধ কৰিলে; কিন্তু দায়ূদৰ হাতত তৰোৱাল
নাছিল। ৫১ তেতিয়া দায়ূদে লৰি গৈ পলেষ্টীয়াজনৰ কাষত থিয় হৈ
তাৰ তৰোৱাল ফাকৰ পৰা উলিয়াই তাৰেই তাক বধ কৰিলে আৰু
সেই তৰোৱালেৰেই তাৰ মূৰ কাটি পোলালে। তেতিয়া ফিলিষ্টীয়া
সকলে তেওঁলোকৰ সেই মহাবীৰ মৰা দেখি পলাল। ৫২ তাৰ পাছত
ইস্রায়েলৰ আৰু যিহূদাৰ লোকসকলে ওলাই জয়-ধ্বনি কৰি গাতলৈকে
আৰু ইক্ৰোণৰ দুৱাৰলৈকে পলেষ্টীয়াসকলৰ পাছে পাছে খেদি গ'ল;
তাতে পলেষ্টীয়াসকলৰ হত হোৱা লোকবোৰ চাৰয়িমৰ বাটত গয় আৰু
ইক্ৰোণলৈকে পৰি পৰি গ'ল। ৫৩ পাছত ইস্রায়েলৰ সন্তান সকলে
পলেষ্টীয়াসকলৰ পাছে পাছে খেদি যোৱাৰ পৰা উভটি আহি সিহঁতৰ
ছাউনি লুট কৰিলে। ৫৪ আৰু দায়ূদে সেই পলেষ্টীয়াজনৰ মূৰটো
যিৰূচালেমলৈ লৈ গ'ল; কিন্তু তাৰ ৰণৰ সাজ নিজৰ তম্বুত ৰাখিলে।

৫৫ সেই পলেষ্টীয়াজনৰ বিৰুদ্ধে দায়ুদ ওলাই যোৱাৰ পাছত চৌল
তেওঁৰ সেনাপতি অবনেৰক সুধিলে, “অবনেৰ, সেই ডেকা কাৰ পুত্ৰ?”
তাতে অবনেৰে ক’লে, “মহাৰাজ, আপোনাৰ জীৱনৰ শপত, মই ক’ব
নোৱাৰোঁ।” ৫৬ পাছত ৰজাই ক’লে, “তুমি সোধাচোন, সেই যুৱকজন
কাৰ পুত্ৰ হয়?” ৫৭ পাছত দায়ূদে যেতিয়া পলেষ্টীয়াজনক বধ কৰি
ঘূৰি আহিছিল, তেতিয়া অবনেৰে তেওঁক ধৰি চৌলৰ ওচৰলৈ লৈ গ’ল
আৰু তেওঁৰ হাতত তেতিয়া পলেষ্টীয়াজনৰ মূৰ আছিল। ৫৮ তাতে
চৌলে তেওঁক সুধিলে, “হে ডেকা, তুমি কাৰ পুত্ৰ?” দায়ূদে উত্তৰ
দিলে, “মই আপোনাৰ দাস বৈৎলেহেমীয়া যিচয়ৰ পুত্ৰ।”

**১৮** দায়ূদে যেতিয়া চৌলৰ লগত কথা পাতি শেষ কৰিলে, তেতিয়া
যোনাথনৰ প্ৰাণ দায়ূদৰ প্ৰাণৰ লগত সংযুক্ত হ’ল, আৰু যোনাথনে
নিজ প্ৰাণৰ দৰে তেওঁক প্ৰেম কৰিবলৈ ধৰিলে। ২ চৌলে সেইদিনা
তেওঁক নিজৰ কামৰ বাবে ল’লে, আৰু তেওঁক নিজ পিতৃৰ ঘৰলৈ
ঘূৰি যাব নিদিলে। ৩ তেতিয়া যোনাথন আৰু দায়ূদে তেওঁলোকৰ
মাজত বন্ধুত্বৰ প্ৰতিশ্ৰুতি কৰিলে, কাৰণ যোনাথনে তেওঁক নিজৰ
প্ৰাণৰ দৰে প্ৰেম কৰিছিল। ৪ যোনাথনে নিজৰ পিন্ধি থকা ৰাজবস্ত্ৰ
সোলোকাই দায়ূদক দিয়াৰ লগতে অস্ত্ৰ-শস্ত্ৰ, যেনে তৰোৱাল, ধনু
আৰু টঙালিও দিলে। ৫ চৌলে দায়ূদক য’লৈকে যাবলৈ কয়, তালৈকে
তেওঁ যায়, আৰু তেওঁ জয়ী হয়। চৌলে যুদ্ধাৰু সকলৰ ওপৰত তেওঁক
প্ৰতিষ্ঠিত কৰিলে। এই কথাই সকলো লোকৰ দৃষ্টিত আনকি চৌলৰ
দাসবোৰৰ দৃষ্টিতো আনন্দদায়ক হ’ল। ৬ পলেষ্টীয়াসকলক পৰাজিত
কৰি যেতিয়া তেওঁলোক ঘূৰি আহিল, তেতিয়া ইস্ৰায়েলৰ সকলো
নগৰৰ মহিলাসকলে চৌলক ল’গ ধৰিবলৈ খঞ্জৰী আদি বাদ্যযন্ত্ৰ লৈ
গীত গাই নাচি-বাগি ওলাই আহিল। ৭ মহিলাসকলে এটাৰ পাছত
আনটো গান আনন্দ কৰি গাবলৈ ধৰিলে, “চৌলে বধিলে হাজাৰ
হাজাৰ লোকক, দায়ূদে বধিলে অযুত অযুত লোকক।” ৮ তাতে চৌলৰ
অতিশয় খং উঠিল, আৰু এই গানে তেওঁক অসন্তুষ্ট কৰি তুলিলে।
তেওঁ ক’লে, “তেওঁলোকে দায়ূদে দহ হাজাৰক জয় কৰিলে বুলি বাখ্যা
কৰিছে, কিন্তু তেওঁলোকে মোক মাত্ৰ এক হাজাৰক জয় কৰা বুলি

বাখ্যা কৰিছে। ৰাজত্বৰ বাহিৰে তেওঁ কি পাবলৈ বাকী থাকিল?"
৯ সেই দিনৰ পৰা চৌলে দায়ূদক সন্দেহৰ চকুৰে চাবলৈ ধৰিলে।
১০ তাৰ পাছদিনা ঈশ্বৰৰ পৰা অহা এটা অনিষ্টকাৰক আত্মা চৌলৰ
ওপৰত স্থিতি হ'ল, আৰু তেওঁ বলীয়াৰ দৰে ঘৰৰ ভিতৰত বকিবলৈ
ধৰিলে। সেয়ে দায়ূদে আন দিনা বজোৱাৰ দৰে সেইদিনাও বাদ্য
বজালে। চৌলৰ হাতত যাঠি আছিল। ১১ চৌলে সেই যাঠি ডাল
দলিয়ালে কাৰণ তেওঁ ভাবিছিল, "মই দায়ূদক বেৰত শালিম।" কিন্তু
দায়ুদ চৌলৰ পৰা দুবাৰ এইদৰে ৰক্ষা পালে। ১২ চৌলে দায়ূদলৈ
ভয় কৰিলে, কাৰণ যিহোৱা তেওঁৰ লগত আছিল, কিন্তু চৌলৰ লগত
নাছিল। ১৩ সেয়ে চৌলে নিজৰ ওচৰৰ পৰা তেওঁক দূৰ কৰিলে আৰু
তেওঁক সহস্ৰপতি পাতিলে। এইদৰে লোকসকলৰ আগলৈ দায়ুদ ওলাই
গ'ল। ১৪ আৰু দায়ূদে নিজৰ সকলো দিশত উন্নতি কৰিলে কাৰণ
যিহোৱা তেওঁৰ লগত আছিল। ১৫ চৌলে যেতিয়া দেখিলে যে দায়ূদৰ
উন্নতি হৈছে, তেতিয়া তেওঁ ত্ৰাসযুক্ত হ'ল। ১৬ কিন্তু সকলো ইস্ৰায়েল
আৰু যিহূদাই দায়ূদক ভাল পালে, কাৰণ তেওঁ তেওঁলোকৰ আগলৈ
ওলাই আহিল। ১৭ চৌলে দায়ূদক ক'লে, "এয়া মোৰ ডাঙৰ ছোৱালী
মেৰব। তোমাৰ ভাৰ্যা হবলৈ মই তাইক দিম। তুমি কেৱল মোৰ পক্ষে
সাহিয়াল হোৱা আৰু যিহোৱাৰ বাবে যুদ্ধ কৰা।" কাৰণ চৌলে চিন্তা
কৰিলে, "মোৰ হাত তেওঁৰ অহিতে নহওক, কিন্তু পলেষ্টীয়াসকলৰ
হাত তেওঁৰ বিৰুদ্ধে হওক।" ১৮ দায়ূদে চৌলক ক'লে, "মই কোন,
আৰু মোৰ জীৱন কি বা ইস্ৰায়েলৰ মাজত মোৰ পিতৃ-বংশ বা কি
যে, মই মহাৰাজৰ জোঁৱাই হ'ব লাগে?" ১৯ কিন্তু চৌলৰ ছোৱালী
মেৰবক বিয়া দিয়াৰ সময়ত তাইক মহোলাতীয়া অদ্ৰীয়েলেৰে সৈতে
বিয়া দিয়া হ'ল। ২০ তাৰ পাছত চৌলৰ জীয়েক মীখলে দায়ূদক প্ৰেম
কৰিলে। তেতিয়া লোকসকলে সেই কথা চৌলক জনালে আৰু তেওঁ
সন্তোষ পালে। ২১ চৌলে চিন্তা কৰিলে, "মই তাইক তেওঁলৈ দিম,
যাতে তাই তেওঁৰ ফান্দস্বৰূপ হয়, আৰু পলেষ্টীয়াসকলৰ হাতো যেন
তেওঁৰ বিৰুদ্ধে হয়।" সেয়ে চৌলে দ্বিতীয়বাৰৰ কাৰণে দায়ূদক ক'লে,
"তুমি মোৰ জোঁৱাই হবা।" ২২ আৰু চৌলে তেওঁৰ দাসবোৰক আজ্ঞা

দিলে, “গোপনে দায়ূদৰ লগত কথা পাতি এই কথা কোৱা, ‘চাওক,
ৰজা আপোনাত সন্তুষ্ট হৈছে, আৰু তেওঁৰ সকলো দাসে আপোনাক
ভালপায়। এই হেতুকে আপুনি ৰজাৰ জোঁৱাই হওক’।” ২৩ সেয়ে
চৌলৰ দাসবোৰে এইসকলো কথা দায়ূদৰ আগত ক’লে, আৰু দায়ূদে
ক’লে, “ৰজাৰ জোঁৱাই হোৱা সাধাৰণ কথা বুলি তোমালোকে ভাবিছা
নে মই দুখীয়া আৰু সামান্যভাৱে সন্মানীয় মানুহ?” ২৪ পাছত চৌলৰ
দাস সকলে দায়ূদে কোৱা কথাখিনি তেওঁক ক’লে। ২৫ তেতিয়া
চৌলে ক’লে, “তোমালোকে দায়ূদক এইদৰে কোৱা, ‘ৰজাই একো
যৌতুক নিবিচাৰে, কেৱল ৰজাৰ শত্রুবোৰৰ প্ৰতিকাৰ সাধিবৰ কাৰণ
পলেষ্টীয়াসকলৰ এশ লিঙ্গাগ্ৰ-চৰ্ম্ম বিচাৰিছে’।” এইদৰে চৌলে দায়ূদক
ফিলিষ্টীয়াসকলৰ হাতেৰে বধ কৰিবলৈ চিন্তা কৰিলে। ২৬ যেতিয়া
তেওঁৰ দাসবোৰে দায়ূদক এই কথা ক’লে, তেতিয়া দায়ুদ ৰজাৰ
জোঁৱাই হ’বলৈ আনন্দিত হ’ল। ২৭ সেই সময় উকলি যোৱাৰ পূৰ্বে,
দায়ূদে লোকসকলৰ সৈতে গ’ল, আৰু পলেষ্টীয়াসকলৰ দুশ জনক
বধ কৰিলে। ৰজাৰ জোঁৱাই হ’বৰ কাৰণে তেওঁ সম্পূৰ্ণ দুশ জনৰ
লিঙ্গাগ্ৰ-চৰ্ম্ম আনি ৰজাক দিলে। তাতে চৌলে তেওঁৰ লগত নিজ
জীয়েক মীখলক বিয়া দিলে। ২৮ চৌলে দেখিলে আৰু বুজিলে যে,
যিহোৱা দায়ূদৰ লগত আছিল আৰু তেওঁৰ ছোৱালী মীখলে তেওঁক
প্ৰেম কৰিছিল। ২৯ পাছত চৌলে দায়ূদলৈ অধিক বেছি ভয় কৰিবলৈ
ধৰিলে। এইদৰে চৌল সদায় দায়ূদৰ শত্ৰু হৈ থাকিল। ৩০ তাৰ
পাছত পলেষ্টীয়াসকলৰ ৰাজকুমাৰসকল যুদ্ধৰ বাবে ওলাই আহিল।
কিন্তু যিমানেই তেওঁলোক ওলাই আহিল, সিমানেই দায়ূদে চৌলৰ
দাসবোৰতকৈও অধিকক জয় কৰিলে। সেয়ে তেওঁৰ নাম অতিশয়
সন্মানীয় বুলি গণ্য হ’বলৈ ধৰিলে।

**১৯** চৌলে তেওঁৰ পুত্ৰ যোনাথন আৰু তেওঁৰ সকলো দাসৰ আগত
দায়ূদক বধ কৰাৰ কথা ক’লে। কিন্তু চৌলৰ পুত্ৰ যোনাথনে দায়ূদক
ভাল পাইছিল। ২ সেয়ে যোনাথনে দায়ূদক ক’লে, “মোৰ পিতৃ চৌলে
আপোনাক বধ কৰিবলৈ চেষ্টা কৰিছে। সেয়ে ৰাতিপুৱা নিজে সাৱধান
থাকিব, আৰু গোপন ঠাইত নিজে লুকাই থাকিব। ৩ আপুনি য’ত

আছিল, মই ওলাই গৈ সেই পথাৰতে পিতৃৰ কাষত থিয় হ'ম আৰু
আপোনাৰ বিষয়ে মই পিতৃক ক'ম; তাত মই যদি কিবা বিষয় জানিব
পাৰোঁ, তেনেহলে আপোনাক ক'ম।" ৪ তাৰ পাছত যোনাথনে তেওঁৰ
পিতৃ চৌলৰ আগত দায়ূদৰ বিষয়ে ভাল কথাবোৰ ক'লে, "ৰজাৰ
দাস দায়ূদৰ বিৰুদ্ধে ৰজাই পাপ নকৰক, কাৰণ তেওঁ আপোনাৰ
বিৰুদ্ধে পাপ কৰা নাই, আৰু তেওঁৰ সকলো কৰ্ম আপোনাৰ পক্ষে
অতি মঙ্গলজনক। ৫ তেওঁ নিজ প্ৰাণ হাতত লৈ পলেষ্টীয়াৰ মহাবীৰক
বধ কৰিলে, আৰু যিহোৱাই সকলো ইস্রায়েলৰ কাৰণে জয় কঢ়িয়াই
আনিলে। এই সকলো দেখি আপুনি আনন্দ কৰিছিল। তেনেহলে কিয়
আপুনি কোনো কাৰণ নোহোৱাকৈ দায়ূদক বধ কৰি নিৰ্দ্দোষীৰ তেজৰ
বিৰুদ্ধে পাপ কৰিব খুজিছে?" ৬ চৌলে যোনাথনৰ কথা শুনি শপত
খাই ক'লে, "যিহোৱাৰ জীৱনৰ শপত, তেওঁক বধ কৰা নহ'ব।" ৭
যোনাথনে দায়ূদক মাতি আনি সেই সকলো কথা তেওঁক জনালে।
আৰু যোনাথনে দায়ূদক চৌলৰ ওচৰলৈ আনিলে; তাতে তেওঁ আগৰ
দৰে তেওঁৰ সন্মুখত থাকিল। ৮ তাৰ পাছত পুনৰায় যুদ্ধ হ'ল, দায়ূদে
বাহিৰলৈ ওলাই গৈ পলেষ্টীয়াসকলৰ সৈতে যুদ্ধ কৰি তেওঁলোকৰ
মাজত মহাসংহাৰ কৰিলে; তাতে তেওঁৰ সন্মুখৰ পৰা তেওঁলোক
পলাই গ'ল। ৯ যি সময়ত চৌলে যাঠি হাতত লৈ নিজৰ ঘৰত বহি
আছিল, আৰু দায়ূদে বাদ্য বজাই আছিল, সেই সময়ত যিহোৱাৰ
পৰা অহা এটা অনিষ্টকাৰক আত্মাই তেওঁত স্থিতি ল'লে। ১০ চৌলে
যাঠিৰে দায়ূদক বেৰৰ সৈতে শালিবলৈ চেষ্টা কৰিলে, কিন্তু তেওঁ
চৌলৰ সন্মুখৰ পৰা আতৰি যোৱাত, তেওঁৰ যাঠি বেৰত সোমালে।
দায়ুদ পলাই গৈ সেই ৰাতি ৰক্ষা পালে। ১১ দায়ূদক ৰখি থাকিবলৈ
তেওঁৰ ঘৰলৈ বাৰ্তাবাহক পঠালে যাতে তেওঁ ৰাতিপুৱা দায়ূদক বধ
কৰিব পাৰে। দায়ূদৰ ভাৰ্যা মীখলে তেওঁক ক'লে, "আপুনি যদি আজি
ৰাতিয়েই নিজ প্ৰাণ ৰক্ষা নকৰে, তেনেহলে কাইলৈ আপোনাক তেওঁ
বধ কৰিব।" ১২ সেয়ে মীখলে খিড়িকিৰে দায়ূদক তললৈ নমাই দিলে।
তাতে তেওঁ পলাই গৈ নিজকে ৰক্ষা কৰিলে। ১৩ আৰু মীখলে গৃহ-
দেৱতাৰ মুৰ্ত্তি লৈ বিচনাত থলে, আৰু তাৰ মূৰত ছাগলীৰ নোমৰ গাঁৰু

এটা দি তাক কাপোৰেৰে ঢাকি ৰাখিলে। ১৪ যেতিয়া চৌলে দায়ূদক
ধৰিবলৈ বৰ্তাবাহকক পঠালে, তেতিয়া মীখলে ক’লে, “তেওঁ নৰিয়া
পৰিছে।” ১৫ তাতে চৌলে দায়ূদক চাবলৈ বৰ্তাবাহকক পঠাই ক’লে,
“মই বধ কৰিবৰ কাৰণে তেওঁক বিচনাৰে সৈতে মোৰ ওচৰলৈ লৈ
আহা।” ১৬ তাতে বাৰ্তাবাহকসকল যেতিয়া ভিতৰলৈ গ’ল, তেতিয়া
দেখিলে সেই গৃহ-দেৱতাৰ মূৰ্তি আৰু তাৰ মূৰত ছাগলীৰ নোমৰ গাঁৰু
আছিল। ১৭ তেতিয়া চৌলে মীখলক ক’লে, “তই মোক কিয় এইদৰে
প্ৰবঞ্চনা কৰিলি? মোৰ শত্ৰুক কিয় পলাই সাৰিবলৈ দিলি?” তাতে
মীখলে চৌলক উত্তৰ দিলে, “তেওঁ মোক কৈছিল, মোক যাবলৈ দে,
মই কিয় তোক বধ কৰিম?” ১৮ এইদৰে পাছত দায়ূদে পলাই গৈ ৰক্ষা
পালে আৰু তেওঁ ৰামাত থকা চমূৱেলৰ ওচৰলৈ গৈ তেওঁৰ প্ৰতি কৰা
ব্যৱহাৰৰ কথা তেওঁক ক’লে। তাৰ পাছত তেওঁ আৰু চমূৱেল দুয়ো
গৈ নায়োতত নিবাস কৰিলে। ১৯ পাছত চৌলক কোনোবাই ক’লে
যে, “দায়ুদ ৰামাৰ নায়োতত আছে।” ২০ তেতিয়া চৌলে দায়ূদক
ধৰিবলৈ বাৰ্তাবাহকক পঠিয়াই দিলে। পাছত তেওঁলোকে যেতিয়া
ভাববাদীসকলক ভাববাণী প্ৰচাৰ কৰি থকা দেখিলে আৰু তেওঁলোকৰ
মাজত চমূৱেলক মুৰব্বীৰ দৰে দেখিলে, তেতিয়া ঈশ্বৰৰ আত্মা চৌলৰ
বাৰ্তাবাহকসকলৰ ওপৰলৈ আহিল আৰু তেওঁলোকেও ভাববাণী প্ৰচাৰ
কৰিবলৈ ধৰিলে। ২১ যেতিয়া চৌলক এই কথা কোৱা হ’ল, তেওঁ
বেলেগ বাৰ্তাবাহকসকলক পঠিয়াই দিলে আৰু তেওঁলোকেও ভাববাণী
প্ৰচাৰ কৰিবলৈ ধৰিলে। সেয়ে চৌলে তৃতীয়বাৰ বাৰ্তাবাহক পঠালে,
আৰু তেওঁলোকেও ভাববাণী প্ৰচাৰ কৰিবলৈ ধৰিলে। ২২ তেতিয়া
তেওঁ নিজে ৰামালৈ গৈ চেখুত থকা ডাঙৰ গভীৰ নাদটোৰ কাষ
পালে, তেওঁ সুধিলে, “চমূৱেল আৰু দায়ুদ ক’ত আছে?” তেতিয়া
কোনো এজনে আহি তেওঁক ক’লে, “তেওঁলোক ৰামাৰ নায়োতত
আছে।” ২৩ তেতিয়া চৌলে ৰামাৰ নায়োতলৈ গ’ল। ঈশ্বৰৰ আত্মা
তেওঁৰ ওপৰতো আহিল, আৰু ৰামাৰ নায়োত নোপোৱালৈকে তেৰোঁ
ভাববাণী প্ৰচাৰ কৰি গৈ থাকিল। ২৪ আৰু নিজৰ কাপোৰ সোলোকাই
চমূৱেলৰ আগত ভাববাণী প্ৰচাৰ কৰিলে, গোটেই ৰাতি আৰু দিন উদং

গাৰে পৰি থাকিল। এই কাৰণে লোকসকলে কলে, “চৌলো জানো ভাববাদীসকলৰ মাজৰ এজন?”

২০ তাৰ পাছত দায়ূদে ৰামাৰ নায়োতৰ পৰা পলাই যোনাথনৰ
ওচৰলৈ আহি ক'লে, “মই নো কি কৰিলোঁ? মোৰ অপৰাধ কি?
আপোনাৰ পিতৃৰ আগত মই কি পাপ কৰিলোঁ, তেওঁ যে মোৰ প্ৰাণ
লবলৈ চেষ্টা কৰিছে?” ২ যোনাথনে দায়ূদক ক'লে, “ইয়াৰ পৰা আঁতৰি
থাকক, আপোনাৰ মৃত্যু নহয়। মোৰ পিতৃয়ে ডাঙৰ কি সৰু কোনো
কাম মোক নোকোৱাকৈ নকৰে। মোৰ পিতৃয়ে এই কথা মোৰ পৰা
কিয় গোপনে ৰাখিব? সেয়ে নহয়।” ৩ তথাপিও দায়ূদে শপত খাই
ক'লে, “মই তোমাৰ দৃষ্টিত যে অনুগ্ৰহপ্ৰাপ্ত হৈছোঁ, তাক তোমাৰ
পিতৃয়ে ভালকৈ জানে; তেওঁ কৈছে, ‘যোনাথনক এই কথা জানিবলৈ
নিদিবা, জানিলে সি অসন্তোষ পাব’। কিন্তু যিহোৱাৰ জীৱনৰ আৰু
তোমাৰ জীৱনৰ শপত, মোৰ আৰু মৃত্যুৰ মাজত নিশ্চয়ে এখোজহে
অন্তৰ আছে।” ৪ তেতিয়া যোনাথনে দায়ূদক ক'লে, “আপুনি যি ক'ব
বিচাৰে কওক, মই আপোনাৰ কাৰণে তাকেই কৰিম।” ৫ দায়ূদে
যোনাথনক ক'লে, “কাইলৈ ন-জোন ওলাব; তাতেই ময়েই ৰজাৰ
লগত ভোজনত বহিব লাগিব। কিন্তু তুমি মোক যাবলৈ দিয়া, মই
তৃতীয় দিনৰ গধূলিলৈকে পথাৰত লুকাই থাকিম। ৬ যদি তোমাৰ
পিতৃয়ে মই নথকাটো মন কৰে, তেন্তে তুমি ক'বা, ‘দায়ূদে নিজ নগৰ
বৈৎলেহেমলৈ সোনকালে যাবৰ কাৰণে মোৰ আগত বৰ আগ্ৰহেৰে
অনুমতি বিচাৰিলে; কাৰণ সেই ঠাইত গোটেই বংশৰ কাৰণে এটা
বছৰেকীয়া যজ্ঞ হৈ আছে।’ ৭ তেওঁ যদি কয়, ‘ঠিকেই আছে’, তেতিয়া
তোমাৰ দাসৰ মঙ্গল হ'ব। কিন্তু যদি তেওঁৰ খং উঠে, তেন্তে জানিবা
যে, তেওঁ অমঙ্গলৰ কথা চিন্তা কৰিছে। ৮ এই হেতুকে তুমি তোমাৰ
দাসলৈ অনুগ্ৰহ কৰিবা; কাৰণ তুমি তোমাৰ এই দাসক তোমাৰে সৈতে
যিহোৱাৰ চুক্তিলৈ আনিছা। তথাপি যদি মোৰ কোনো অপৰাধ থাকে,
তেন্তে তুমি নিজে মোক বধ কৰা; তেনেহলে কিয় মোক তোমাৰ পিতৃৰ
ওচৰলৈ নিব খুজিছা?” ৯ যোনাথনে ক'লে, “এনে ভয় আপোনাৰ পৰা
দূৰ হওক! কাৰণ মোৰ পিতৃয়ে আপোনালৈ অমঙ্গল ঘটাবলৈ স্থিৰ কৰা

কথা যদি মই কেনেবাকৈ জানিব পাৰোঁ, তেন্তে মই জানো আপোনাক
কৈ নিদিম?” ১০ তেতিয়া দায়ুদে যোনাথনক ক’লে, “তোমাৰ পিতৃয়ে
তোমাক কটু উত্তৰ দিলে, তাক কোনে মোক ক’ব?” ১১ যোনাথনে
দায়ুদক ক’লে, “আহক, আমি পথাৰলৈ ওলাই যাওঁহঁক।” সেয়ে দুয়ো
পথাৰলৈ ওলাই গ’ল। ১২ যোনাথনে দায়ুদক ক’ল, “মই ইস্ৰায়েলৰ
ঈশ্বৰ যিহোৱাক সাক্ষী কৰি কৈছোঁ যে, কাইলৈ বা পৰহিলৈ প্ৰায় এই
সময়ত মোৰ পিতৃৰ মন চাম; তাতে আপোনালৈ অনুগ্ৰহ থকাৰ প্ৰমাণ
পালে, মই তেতিয়াই মানুহ পঠিয়াই আপোনাক সেই বিষয়ে নজনাম
নে? ১৩ যদি আপোনাৰ অমঙ্গল কৰিবলৈ মোৰ পিতৃ মন থাকে, আৰু
মই সেই বিষয়ে আপোনাক নজনাও, তেনেহলে যিহোৱাই যোনাথনক
অমুক আৰু তাতকৈ অধিক দণ্ড দিয়ক; তেনেকুৱা হ’লে, আপোনাক
বিদায় দিম; তাতে আপুনি কুশলে যাব; আৰু যিহোৱা মোৰ পিতৃৰ
লগত থকাৰ দৰে আপোনাৰ লগতো থাকক। ১৪ মই নমৰিবৰ কাৰণে
আপুনি যে কেৱল মই জীয়াই থকা কালত যিহোৱাৰ অনুগ্ৰহ মোৰ
বাবে দেখুৱাব এনে নহয়; ১৫ কিন্তু মোৰ বংশলৈকো দয়া কৰিবলৈ
কেতিয়াও ক্ৰুতি নকৰিব, আনকি যেতিয়া যিহোৱাই দায়ূদৰ শত্ৰুবোৰৰ
প্ৰতিজনক পৃথিৱীৰ পৰা উচ্ছন্ন কৰিব, তেতিয়াও নকৰিবা।” ১৬
এইদৰে যোনাথনে দায়ূদৰ পৰিয়ালৰ সৈতে এটা চুক্তি কৰিলে আৰু
তেওঁ ক’লে, যিহোৱাই দায়ুদক শত্ৰুবোৰৰ হাতৰ পৰা ৰক্ষা কৰক। ১৭
এইদৰে যোনাথনে দায়ুদৰ ওচৰত পুনৰ প্ৰতিজ্ঞা কৰিলে, কাৰণ তেওঁ
তেওঁক প্ৰেম কৰিছিল; তেওঁ নিজ প্ৰাণৰ দৰে দায়ূদক প্ৰেম কৰিছিল।
১৮ সেয়ে যোনাথনে দায়ুদক ক’লে, “কাইলৈ ন-জোন ওলাব; তাতে
আপোনাৰ অনুপস্থিতি অনুভৱ হ’ব, কাৰণ আপোনাৰ আসন খালী হৈ
থাকিব। ১৯ আপুনি পৰহিলৈ অতি বেগাই নামি আহিব, আৰু আগেয়ে
যি ঠাইত আহি লুকাই আছিল, সেই ঠাইলৈ আহি এজল নামৰ শিলটোৰ
ওচৰত লুকাই থাকিব। ২০ তাতে মই লক্ষ্য কৰি মৰাৰ দৰে তিনিটা
কাঁড় মাৰিম। ২১ আৰু মই এজন ডেকা ল’ৰাক সেই ঠাইলৈ পঠিয়াম
আৰু তেওঁক ক’ম, ‘যোৱা আৰু কাঁড়বোৰ বিচাৰা’। যদি মই সেই ডেকা
ল’ৰাক কওঁ, কাঁড় কেইডাল এইফালে আছে, তাৰ পৰা তুলি আনা’;

তেনেহলে আপুনি আহিব। কিয়নো কোনো ভয় নাই, যিহোৱাৰ জীৱনৰ
শপত তোমাৰ মঙ্গলহে হ'ব। ২২ কিন্তু মই যদি ডেকা ল'ৰাটোক কওঁ,
'চোৱা, কাঁড়বোৰ তোৰ সিফালে আছে', তেতিয়া আপুনি নিজৰ পথত
গুচি যাব; কাৰণ যিহোৱাই আপোনাক বিদায় দিছে। ২৩ আপোনাৰ
আৰু মোৰ মাজত হোৱা চুক্তি আৰু মই কোৱা কথাবোৰ মনত ৰাখিব;
যিহোৱা আপোনাৰ আৰু মোৰ মাজত চিৰদিন সাক্ষী হৈ আছে।" ২৪
তাৰ পাছত দায়ূদে গৈ পথাৰত লুকাই থাকিল; পাছত যেতিয়া ন-
জোন ওলাল, তেতিয়া ৰজাই আহি ভোজনত বহিল। ২৫ তাতে ৰজাই
সচৰাচৰ বহাৰ দৰে দেৱালৰ ওচৰত থকা আসনত গৈ বহিল। পাছত
যোনাথন উঠি থিয় হ'ল আৰু অবনেৰ চৌলৰ কাষতে বহিল, কিন্তু
দায়ুদৰ আসন খালী হৈ থাকিল। ২৬ সেইদিনা চৌলে একোকে নক'লে;
কাৰণ তেওঁ ভাবিলে, "দায়ূদৰ কিবা হয়তো হৈছে। সি শুচি নহয়,
সঁচাকৈ সি শুচি নহয়।" ২৭ ন-জোনৰ পাছদিনা অৰ্থাৎ মাহৰ দ্বিতীয়
দিনাও দায়ুদৰ আসন শূণ্য হৈ থকাত চৌলে নিজৰ পুত্ৰ যোনাথনক
সুধিলে, "যিচয়ৰ পুতেক কালি আৰু আজিও ভোজলৈ কিয় অহা নাই?"
২৮ তেতিয়া যোনাথনে উত্তৰ দি চৌলক ক'লে, "দায়ুদে বৈৎলেহেমলৈ
যাবৰ কাৰণে বৰ আগ্ৰহেৰে মোৰ পৰা অনুমতি বিচাৰিলে; ২৯
আৰু মোক ক'লে, 'মই মিনতি কৰিছোঁ, মোক যাবলৈ দিয়া; কিয়নো
নগৰত আমাৰ গোষ্ঠীৰ এক যজ্ঞ হ'ব, আৰু মোৰ ককায়ে মোক তাত
উপস্থিত হ'বলৈ আজ্ঞা কৰিছে; এই হেতুকে মই যদি তোমাৰ দৃষ্টিত
অনুগ্ৰহপ্ৰাপ্ত হৈছোঁ, তেন্তে বিনয় কৰোঁ, মোক যাবলৈ দিয়া; মই গৈ
মোৰ ভাইসকলক চাই আহোঁ'। এই কাৰণে তেওঁ মহাৰাজৰ মেজলৈ
আহিব পৰা নাই'।" ৩০ তেতিয়া যোনাথনলৈ চৌলৰ ক্ৰোধ জ্বলি উঠিল
আৰু তেওঁ যোনাথনক ক'লে, "হেৰ' বিপথগামীনী আৰু বিদ্ৰোহীনী
তিৰোতাৰ পুতেক, তই তোৰ লাজ, আৰু তোৰ মাৰক বিবস্ত্ৰ কৰাৰ
লাজ প্ৰকাশ কৰিবলৈ যে যিচয়ৰ পুতেকক মনোনীত কৰিলি, তাক
জানো মই নাজানো? ৩১ কিন্তু যিচয়ৰ পুতেক যেতিয়ালৈকে পৃথিবীত
জীয়াই থাকিব, তেতিয়ালৈকে তই থিৰে থাকিব নোৱাৰিবি, আৰু তোৰ
ৰজাও থিৰে নাথাকিব; এই হেতুকে এতিয়া মানুহ পঠাই তাক মোৰ

আগলৈ আন; কিয়নো সি মৰিবই লাগিব"; ৩২ তাতে যোনাথনে উত্তৰ
দি নিজৰ বাপেক চৌলক ক'লে, "তেওঁ কিয় মৰিব? তেওঁনো কি
কৰিলে? ৩৩ তেতিয়া চৌলে যোনাথনক মাৰিবৰ বাবে যাঠি মাৰি
পঠালে। তেতিয়া যোনাথনে বুজিলে যে, তেওঁৰ পিতৃ চৌলে সচাঁকৈয়ে
দায়ূদক বধ কৰিবলৈ চল বিচাৰি আছে। ৩৪ তাতে যোনাথন অতিশয়
ক্রুদ্ধ হৈ উঠিল আৰু ভোজনৰ মেজৰ পৰা উঠি গ'ল। এইদৰে তেওঁ
মাহৰ দ্বিতীয় দিনাও একো ভোজন নকৰিলে। দায়ুদৰ কাৰণে তেওঁ
বেজাৰ পালে, কিয়নো তেওঁৰ পিতৃয়ে তেওঁক অপমান কৰিছিল। ৩৫
পাছদিনা ৰাতিপুৱা দায়ুদেৰে সৈতে নিৰূপণ কৰা পথাৰলৈ যোনাথনে
ওলাই গ'ল আৰু তেওঁৰ লগত এজন ডেকা ল'ৰা আছিল। ৩৬ তেওঁ
সেই ডেকা ল'ৰাক ক'লে, "দৌৰ আৰু মই মাৰি পঠোৱা কাঁড়বোৰ
বিচাৰি আন।" তাতে ল'ৰাটিয়ে দৌৰ মাৰোতে তেওঁ তাৰ সিফালে
পৰাকৈ কাঁড়বোৰ মাৰিলে। ৩৭ তাতে ডেকা ল'ৰা জনে গৈ যোনাথনে
মাৰি পঠোৱা কাঁড়বোৰৰ ওচৰ পোৱাত, তেওঁ তাক ক'লে, 'তোৰ
সিফালে জনো কাঁড়বোৰ নাই'? ৩৮ পাছত যোনাথনে ল'ৰাজনক
মাতি ক'লে, "বেগাই দৌৰি আহ। তাত ৰৈ নাথাকিবি।" তেতিয়া সেই
ল'ৰাজনে কাঁড়বোৰ বুটলি আনি যোনাথানৰ ওচৰলৈ আহিল। ৩৯ কিন্তু
ল'ৰাজনে একো বুজি নাপালে; মাত্র দায়ূদেহে এই বিষয় বুজি পালে।
৪০ পাছত যোনাথনে নিজৰ ধনু-কাঁড়বোৰ ল'ৰা জনৰ হাতত দিলে
আৰু ক'লে, "যোৱা, এইবোৰ লৈ নগৰলৈ যোৱা।" ৪১ তাৰ পাছত
ডেকা ল'ৰা জন যোৱাৰ লগে লগে দায়ূদে দক্ষিণ দিশৰ পৰা ওলাই
আহিল আৰু তললৈ মুখ কৰি পৰি তিনিবাৰ প্রণিপাত কৰিলে। তাতে
তেওঁলোক পৰস্পৰে চুমা খালে আৰু কান্দিলে; তাতে দায়ুদৰ সৈতে
অধিক ক্রন্দন হ'ল। ৪২ পাছত যোনাথনে দায়ুদক ক'লে, "আপুনি
কুশলে যাওক; কিয়নো আমি দুয়ো যিহোৱাৰ নামেৰে এই শপত
খালো যে, যিহোৱা আপোনাৰ আৰু মোৰ মাজত থকাৰ দৰে আপোনাৰ
বংশ আৰু মোৰ বংশৰ মাজতো সদাকাল থাকিব।" পাছত তেওঁ উঠি
গুচি গ'ল, আৰু যোনাথন নগৰলৈ উভতি গ'ল।

২১ তাৰ পাছত দায়ুদ নোবত থকা অহীমেলক পুৰোহিতৰ ওচৰলৈ
আহিল। তাতে অহীমেলকে কঁপি কঁপি দায়ূদৰ লগত সাক্ষাৎ কৰিবলৈ
আহিল, আৰু তেওঁক ক'লে, “কিয় তোমাৰ লগত কোনো নাই আৰু
তুমি কিয় অকলে আহিছা?” ২ দায়ূদে অহীমেলক পুৰোহিতক ক'লে,
“ৰজাই মোক তেওঁৰ কাৰ্যৰ অৰ্থে পঠাইছে, আৰু মোক ক'লে, ‘মই
তোমাক যি কাৰ্যৰ উদ্দেশে পঠাইছোঁ আৰু তোমাক কি আদেশ দিছোঁ
সেই বিষয়ে যেন কোনেও গম নাপাই।’ মই যুৱক সকলক বিশেষ
ঠাইলৈ যাবলৈ নিৰ্দেশ দিছোঁ। ৩ এতিয়া তোমাৰ হাতত কি আছে?
মোক পাঁচটা পিঠা বা ইয়াত যি আছে তাকে দিয়া।” ৪ পুৰোহিতে
দায়ূদক উত্তৰ দি ক'লে, “মোৰ হাতত সাধাৰণ পিঠা নাই, কিন্তু
পবিত্ৰ পিঠাহে আছে; যদি যুৱকসকলে নিজকে মহিলাৰ পৰা পৃথকে
ৰাখে।” ৫ দায়ূদে পুৰোহিতক উত্তৰ দিলে, “নিশ্চয়কৈ এই তিনি
দিন আমাৰ পৰা মহিলাসকলক পৃথকে ৰাখিম। যেতিয়া মই ওলাই
আহিলোঁ, যুৱকসকলৰ শৰীৰ পবিত্ৰ আছিল, যদিও বা এই যাত্ৰা
সাধাৰণ আছিল। আজি তেওঁলোকৰ শৰীৰ আৰু কিমান পবিত্ৰ হ'ব
লাগে?” ৬ তাতে পুৰোহিতে তেওঁক পবিত্ৰ পিঠা দিলে। কাৰণ তাত
আন পিঠা নাছিল, কেৱল তাত থকা পিঠা যি যিহোৱাৰ সন্মুখৰ পৰা
আঁতৰোৱা হৈছিল যাতে তাৰ ঠাইত গৰম পিঠা ৰাখিব পৰা যায়। ৭
সেই দিনা চৌলৰ দাসবোৰৰ মাজৰ ইদোমীয়া দোৱেগ নামেৰে এজন
লোক যিহোৱাৰ সন্মুখত, তেওঁ চৌলৰ প্ৰধান পশুপালক আছিল। ৮
দায়ূদে অহীমেলকক ক'লে, “তোমাৰ এই ঠাইত যাঠি বা তৰোৱাল
একো নাই নে? কাৰণ, মই ৰজাৰ জৰুৰী কাৰ্য কৰিব লগা হোৱাত, মই
নিজৰ তৰোৱাল বা অস্ত্ৰ লগত অনা নহ'ল।” ৯ পুৰোহিতে ক'লে,
“এলা উপত্যকাত তুমি যাক বধ কৰিছিলা সেই পলেষ্টীয়া গলিয়াথৰ
তৰোৱাল এফোদৰ পাছফালে কাপোৰেৰে মেৰোৱা আছে। যদি তুমি
লব খোজা, লোৱা, কাৰণ তাৰ বাহিৰে আন কোনো অস্ত্ৰ ইয়াত নাই।”
তাতে দায়ূদে ক'লে, “তাৰ সমান তৰোৱাল আৰু নাই; তাকে মোক
দিয়া।” ১০ তাৰ পাছত দায়ুদ উঠি চৌলৰ ভয়ত পলাল আৰু সেই
দিনাই গাতৰ ৰজা আখীচৰ ওচৰলৈ গ'ল। ১১ আখীচৰ দাসবোৰে

তেওঁক ক'লে, "এই মানুহ জন জানো দেশৰ ৰজা দায়ুদ নহয় নে?
তেওঁলোকে নাচি নাচি তেওঁৰ বিষয়ে পৰস্পৰে গান গাই কোৱা নাই
নে - "চৌলে বধিলে হাজাৰ হাজাৰ লোকক, দায়ূদে বধিলে অযুত
অযুত লোকক?" ১২ তাতে দায়ূদে সেই কথা হৃদয়ত ৰাখি গাতৰ
ৰজা আখীচলৈ অতিশয় ভয় কৰিলে। ১৩ তেওঁ নিজৰ আচৰণ সলনি
কৰিলে আৰু দুৱাৰত আঁকি-বাকি আৰু নিজৰ ডাড়িৰ ওপৰত লালটি
বোৱাই তেওঁলোকৰ আগত বলীয়াৰ ভাও ধৰিলে। ১৪ তাতে আখীচে
তেওঁৰ দাসবোৰক ক'লে, "চোৱা, এই মানুহজন বলীয়া। তেওঁক মোৰ
ওচৰলৈ কিয় আনিছা? ১৫ মোৰ জানো বলীয়া মানুহৰ অভাৱ হৈছে,
যে, মোৰ ওচৰত বলীয়াৰ দৰে ব্যৱহাৰ কৰিবলৈ তোমালোকে ইয়াক
আনিলা, এই মানুহ মোৰ গৃহত সোমাব নে?"

২২ তাৰ পাছত দায়ূদে সেই ঠাই এৰিলে আৰু অদুল্লম নামেৰে
এটা গুহাত আশ্ৰয় ল'লে; যেতিয়া তেওঁৰ ককায়েকসকলে আৰু পিতৃ-
বংশৰ লোকসকলে এইকথা শুনিলে, তেতিয়া তেওঁলোক তেওঁৰ
ওচৰলৈ গ'ল। ২ প্ৰতিজন দুখ পোৱা ব্যক্তি, প্ৰতিজন ধৰুৱা ব্যক্তি আৰু
প্ৰতিজন বেজাৰত থকা ব্যক্তি তেওঁৰ ওচৰত গোট খালে। তাতে দায়ুদ
তেওঁলোকৰ অধিপতি হ'ল; এই দৰে প্ৰায় চাৰি শ লোক তেওঁৰ সঙ্গী
হ'ল। ৩ দায়ূদে তাৰ পৰা মোৱাবৰ মিস্পালৈ গ'ল। তেওঁ মোৱাবৰ
ৰজাক ক'লে, "বিনয় কৰোঁ, ঈশ্বৰে মোলৈ কি কৰিব, তাক জ্ঞাত
নহওঁমানে, মোৰ পিতৃ-মাতৃক আপোনাৰ লগত থাকিবলৈ দিয়ক।" ৪
তেওঁ তেওঁলোকক মোৱাবৰ ৰজাৰ লগত ৰাখিলে, আৰু যেতিয়ালৈকে
দায়ুদ তেওঁৰ দুৰ্গত থাকিল, তেতিয়ালৈকে তেওঁলোক ৰজাৰ লগত
থাকিল। ৫ পাছে গাদ ভাববাদীয়ে দায়ূদক ক'লে, "তুমি তোমাৰ দুৰ্গত
নাথাকিবা, এই ঠাই ত্যাগ কৰি যিহূদা দেশলৈ যোৱা।" সেয়ে দায়ূদে
সেই ঠাই ত্যাগ কৰি হেৰৎ অৰণ্যলৈ গ'ল। ৬ চৌলে শুনিলে যে,
দায়ূদক তেওঁৰ লগৰ লোকসকলৰ সৈতে পোৱা গ'ল। সেই সময়ত
চৌলে হাতত যাঠি লৈ গিবিয়াত ঝাওঁ গছৰ তলত বহি আছিল, আৰু
তেওঁৰ চাৰিওফালে তেওঁৰ দাসবোৰ থিয় হৈ আছিল। ৭ তাতে চৌলে
চাৰিওফালে থিয় হৈ থকা তেওঁৰ দাসবোৰক ক'লে, "বিন্যামীনৰ

লোকসকল শুনা! যিচয়ৰ পুত্ৰই তোমালোকৰ প্ৰতিজনকে শস্যক্ষেত্ৰ
আৰু দ্ৰাক্ষাবাৰী দিব নে? আৰু তোমালোক সকলোকে সহস্ৰপতি ও
শতপতিৰ পাতিব নে? ৮ তাৰ পৰিবৰ্তে তোমালোক সকলোৱে মোৰ
বিৰুদ্ধে চক্ৰান্ত কৰিছাহঁক, যেতিয়া মোৰ পুত্ৰৰ সৈতে যিচয়ৰ পুত্ৰই চুক্তি
কৰিছিল তেতিয়া কোনেও মোৰ আগত এই কথা প্ৰকাশ কৰা নাছিল।
মোৰ পুত্ৰক মোৰ দাস দায়ূদে মোৰ বিৰুদ্ধে উদগোৱাৰ কথা জানি আৰু
আজিৰ দৰে খাপ দি লুকাই থকা কথা জানিও তোমালোক কোনেও
মোৰ কাৰণে দুখিত হোৱা নাই।” ৯ তাৰ পাছত চৌলৰ দাসবোৰৰ
ওচৰত থিয় হৈ থকা ইদোমীয়া দোৱেগে উত্তৰ দিলে, “মই নোবত
যিচয়ৰ পুত্ৰক অহীটুবৰ পুত্ৰ অহীমেলকৰ ওচৰলৈ অহা দেখিছিলোঁ।”
১০ অহীমেলকে যিহোৱাৰ আগত প্ৰাৰ্থনা কৰিলে যাতে তেওঁক সহায়
কৰে, আৰু তেওঁ তেওঁক যোগান ধৰিলে, আৰু পলেষ্টীয়া গলিয়াথৰ
তৰোৱালো তেওঁক দিলে। ১১ তাৰ পাছত ৰজাই মানুহ পঠাই অহীটুবৰ
পুত্ৰ অহীমেলক পুৰোহিতক আৰু তেওঁৰ পিতৃ-বংশক, অৰ্থাৎ নোবত
থকা পুৰোহিতসকলক মতি পঠালে। তেওঁলোক সকলোৱেই ৰজাৰ
ওচৰলৈ আহিল, ১২ চৌলে ক'লে, “অহীটুবৰ পুত্ৰ শুনা।” তেওঁ উত্তৰ
দিলে, “প্ৰভু, মই ইয়াতে আছোঁ।” ১৩ চৌলে তেওঁক ক'লে, “তুমি আৰু
যিচয়ৰ পুত্ৰ মোৰ বিৰুদ্ধে কিয় চক্ৰান্ত কৰিছা, যাৰ বাবে তুমি তেওঁক
পিঠা আৰু তৰোৱাল দিছা, আৰু ঈশ্বৰৰ ওচৰত তেওঁৰ সহায়ৰ কাৰণে
প্ৰাৰ্থনা কৰিছা, যাতে তেওঁ মোৰ বিৰুদ্ধে উঠে, আজি লুকাই থকাৰ
দৰেই তেওঁ গোপন ঠাইত আছিল। ১৪ তাৰ পাছত অহীমেলকে ৰজাক
উত্তৰ দি ক'লে, “আপোনাৰ দাসবোৰৰ মাজত দায়ূদৰ দৰে বিশ্বাসী
কোন? যিজন ৰজাৰ জোঁৱাই, আৰু আপোনাৰ দেহৰক্ষী, আপোনাৰ
গৃহৰ এজন সন্মানীয় লোক।” ১৫ আজি প্ৰথমবাৰ মই তেওঁৰ কাৰণে
ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰিছোঁ নেকি? সেয়ে মোৰ পৰা দূৰ হওক!
মহাৰাজ, আপোনাৰ এই দাসক আৰু মোৰ সকলো পিতৃ-বংশক দোষ
নিদিব; কিয়নো আপোনাৰ দাসে এই বিষয়ে কোনো কথাই গম পোৱা
নাছিল।” ১৬ ৰজাই উত্তৰ দি ক'লে, “অহীমেলক, তুমি আৰু তোমাৰ
পিতৃ-বংশ সকলোৱে নিশ্চয় মৃত্যু হ'ব।” ১৭ ৰজাই তেওঁৰ চাৰিও

ফালে থকা ৰখীয়া সকলক ক'লে, "তহঁতে ঘূৰি গৈ যিহোৱাৰ পুৰোহিত
সকলক বধ কৰ। কাৰণ তেওঁলোকো দায়ূদৰ সহায়কাৰী, আৰু তেওঁ
পলোৱাৰ কথা তেওঁলোকে জানিও মোক নজনালে।" কিন্তু যিহোৱাৰ
পুৰোহিতসকলক আক্ৰমণ কৰিবৰ অৰ্থে ৰজাৰ দাসবোৰ সন্মত নহ'ল।
১৮ তাৰ পাছত ৰজাই দোৱেগক ক'লে, "ঘূৰি গৈ পুৰোহিতসকলক বধ
কৰা।" সেয়ে ইদোমীয়া দোৱেগে পুৰোহিতসকলক আক্ৰমণ কৰি সেই
দিনা শণ সূতাৰ এফোদ বস্ত্ৰ পিন্ধা পঁচাশী জনক বধ কৰিলে। ১৯ তেওঁ
তৰোৱালৰ ধাৰেৰে পুৰোহিতসকলৰ নোব নগৰ আঘাত কৰি, পুৰুষ,
তিৰোতা, ল'ৰা, আৰু পিয়াহ খোৱা কেঁচুৱা, আৰু গৰু, গাধ, মেৰ-ছাগ
আদি সকলোকে তৰোৱালৰ ধাৰেৰে সংহাৰ কৰিলে। ২০ সেই সময়ত
অহীটুবৰ পুত্ৰ অহীমেলকৰ এজন পুত্ৰ কেৱল ৰক্ষা পৰিল; তেওঁৰ নাম
অবিয়াথৰ; তেওঁ দায়ূদৰ ওচৰলৈ পলাই গ'ল। ২১ চৌলে যিহোৱাৰ
পুৰোহিতসকলক বধ কৰা কথা অবিয়াথৰে দায়ূদক ক'লে, ২২ তাতে
দায়ূদে অবিয়াথৰক ক'লে, "ইদোমীয়া দোৱেগ সেই ঠাইত থকাতে
মই সেই দিনা বুজিছিলোঁ, যে, সি অৱশ্যে চৌলক সম্বাদ দিব; ময়েই
তোমাৰ পিতৃ-বংশৰ সকলো ব্যক্তিৰ বধৰ কাৰণ হ'লো। ২৩ তুমি মোৰ
লগত থাকা, ভয় নকৰিবা; কিয়নো যি জনে মোৰ প্ৰাণ ৰক্ষা কৰিলে
সেই জনে তোমাৰো কৰিব। কাৰণ মোৰ লগত তুমি নিৰ্ভয়ে থাকিবা।

২৩ তেওঁলোকে দায়ূদক ক'লে, "পলেষ্টীয়াসকলে কয়ীলাৰ বিৰুদ্ধে
যুদ্ধ কৰি মৰণা মৰা শস্য লুট কৰিছে।" ২ সেয়ে দায়ূদে যিহোৱাৰ আগত
সহায়ৰ বাবে প্ৰাৰ্থনা কৰিলে আৰু সুধিলে, "মই পলেষ্টীয়াসকলক আঘাত
কৰিবলৈ যাম নে?" তাতে যিহোৱাই ক'লে, "যোৱা পলেষ্টীয়াসকলক
আক্ৰমণ কৰি কয়ীলাক উদ্ধাৰ কৰা।" ৩ কিন্তু দায়ূদৰ লোকসকলে
তেওঁক ক'লে, "চোৱা, আমি যিহূদাত ভয়েৰে আছোঁ। যদি পলেষ্টীয়া
সৈন্যসকলৰ বিৰুদ্ধে কয়ীলালৈ যাওঁ, তেনেহলে ইয়াতকৈ কিমান অধিক
ভয়ৰ কথা হ'ব?" ৪ তেতিয়া দায়ূদে পুনৰ সহায়ৰ বাবে যিহোৱাৰ
আগত প্ৰাৰ্থনা কৰিলে। যিহোৱাই তেওঁক উত্তৰ দিলে, "তুমি উঠি
কয়ীলালৈ নামি যোৱা। কাৰণ মই পলেষ্টীয়াসকলৰ ওপৰত তোমাক
জয়যুক্ত কৰিম।" ৫ তাতে দায়ুদ আৰু তেওঁৰ লোকসকলে কয়ীলালৈ

গৈ পলেষ্টীয়াসকলৰ লগত যুদ্ধ কৰিলে। তেওঁলোকৰ পশুবোৰ লৈ
গ'ল, আৰু আক্রমণ কৰি তেওঁলোকৰ মাজত সংহাৰ কৰিলে। এইদৰে
দায়ূদে কয়ীলা নিবাসীসকলক উদ্ধাৰ কৰিলে। ৬ অহীমেলকৰ পুত্ৰ
অবিয়াথৰ যেতিয়া কয়ীলালৈ পলাই দায়ূদৰ ওচৰলৈ আহিছিল, তেতিয়া
তেওঁ হাতত এখন এফোদ লৈ আহিছিল। ৭ চৌলে দায়ুদ কয়ীলালৈ
যোৱাৰ বাতৰি পাই ক'লে, "যিহোৱাই মোৰ হাতত তেওঁক সমৰ্পণ
কৰিছে। তেওঁ আৱদ্ধ হৈ গ'ল কাৰণ নগৰত দুৱাৰবোৰ বন্ধ কৰা হ'ল।"
৮ দায়ুদ আৰু তেওঁৰ লোকসকলক অৱৰোধ কৰিবলৈ চৌলে যুদ্ধৰ
বাবে কয়ীলালৈ নামি যাবলৈ সকলো সৈন্য সামন্তক মাতিলে। ৯ দায়ূদে
জানিছিল যে, চৌলে তেওঁৰ অনিষ্ট কৰিবলৈ তেওঁৰ বিৰুদ্ধে অভিসন্ধি
কৰিছে, দায়ূদে অবিয়াথৰ পুৰোহিতক ক'লে, "ইয়ালৈ এফোদ আনা।"
১০ তাৰ পাছত দায়ূদে ক'লে, "হে ইস্রায়েলৰ ঈশ্বৰ যিহোৱা, চৌলে
কয়ীলালৈ আহি মোৰ কাৰণে এই নগৰখন ধংস কৰিবলৈ চেষ্টা কৰিছে,
মই এইকথা শুনিলোঁ।" ১১ কয়ীলাৰ লোকসকলে তেওঁৰ হাতত মোক
সমৰ্পণ কৰিব নে? তোমাৰ দাসে শুনাৰ দৰে চৌল সঁচাকৈ নামি আহিব
নে? হে ইস্রায়েলৰ ঈশ্বৰ যিহোৱা, বিনয় কৰোঁ, আপোনাৰ দাসক
কওক।" যিহোৱাই ক'লে, "তেওঁ নামি আহিব।" ১২ তাতে দায়ূদে
সুধিলে, "কয়ীলাৰ লোকসকলে মোক আৰু মোৰ লোকসকলক চৌলৰ
হাতত শোধাই দিব নে?" যিহোৱাই ক'লে, "তেওঁলোকে তোমাক
শোধাই দিব।" ১৩ তাৰ পাছত দায়ুদ আৰু তেওঁৰ লগৰ প্ৰায় ছশ
লোক উঠি কয়ীলাৰ পৰা বাহিৰ ওলাই, এঠাইৰ পৰা আন ঠাইলৈ
গ'ল। চৌলক কোৱা হ'ল, যে দায়ুদ কয়ীলাৰ পৰা সাৰি গ'ল, সেয়ে
চৌলে তেওঁক অনুসৰণ কৰিবলৈ বাদ দিলে। ১৪ দায়ূদে মৰুপ্ৰান্তৰ
দুৰ্গম ঠাই, পৰ্ব্বতীয়া অঞ্চলৰ জীফ মৰুপ্ৰান্তত বাস কৰিলে; তাতে
চৌলে সদায় তেওঁক বিচাৰিলে, কাৰণ চৌল সদায় তেওঁৰ অপেক্ষাত
আছিল, কিন্তু ঈশ্বৰে তেওঁৰ হাতত তেওঁক সমৰ্পণ নকৰিলে। ১৫
দায়ুদ জীফ মৰুপ্ৰান্তৰ অৰণ্যত থকা সময়ত, তেওঁ দেখিলে যে, চৌলে
তেওঁৰ প্ৰাণনাশৰ চেষ্ঠাৰে ওলাই আহিছে। ১৬ চৌলৰ পুত্ৰ যোনাথনে
অৰণ্যত দায়ূদৰ ওচৰলৈ গৈ ঈশ্বৰত তেওঁৰ হাত সবল কৰিলে। ১৭

তেওঁ দায়ূদক ক'লে, "ভয় নকৰিব। কাৰণ মোৰ পিতৃ চৌলৰ হাতে
আপোনাক ধৰিবলৈ নাপাব; আপুনি ইস্ৰায়েলৰ ৰজা হ'ব, আৰু মই
আপোনাৰ পিছতহে হ'ম। মোৰ পিতৃ চৌলেও ইয়াক জানে।" ১৮
তাৰ পাছত তেওঁলোকে দুয়ো জনে যিহোৱাৰ সন্মুখত এটি নিয়ম
বান্ধিলে; দায়ুদ অৰণ্যতে থাকিলে আৰু যোনাথন ঘৰলৈ গ'ল। ১৯ তাৰ
পাছত জীফীয়া লোকসকলে গিবিয়াৰ চৌলৰ ওচৰলৈ আহি ক'লে,
"দায়ুদ আমাৰ ওচৰত যিচীনোনৰ দক্ষিণফালে থকা হখীলা পৰ্ব্বতৰ
অৰণ্যৰ দুৰ্গম ঠাইত জানো লুকাই থকা নাই? ২০ সেয়ে, হে মহাৰাজ,
নামি আহক; আপোনাৰ সকলো মনৰ বাঞ্ছা অনুসাৰে নামি আহক।
মহাৰাজৰ হাতত তাক সমৰ্পণ কৰি দিয়াৰ দায়িত্ব আমাৰ।" ২১
চৌলে ক'লে, "তোমালোক যিহোৱাৰ আশীৰ্ব্বাদ প্ৰাপ্ত হোৱা। কাৰণ
তোমালোকে মোলৈ অনুগ্ৰহ কৰিলা। ২২ যোৱা, আৰু সঠিককৈ বিচাৰ
কৰা; আৰু সেই ঠাইত তাক কোনে দেখিলে, তাক চাই তাৰ বুজ-
বিচাৰ লোৱা, কিয়নো মানুহে মোক কয়, সি বৰ চতুৰালীৰে ফুৰে। ২৩
সেয়ে চোৱা, আটাই গোপন ঠাইৰ মাজৰ কোন ঠাইত সি নিজকে
লুকুৱাইছে, তাৰ বুজ লৈ মোৰ আগলৈ সঠিক বাতৰি লৈ আহিবা,
আৰু তাৰ পাছত মই তোমালোকৰ লগত যাম, সি যদি দেশত থাকে,
তেনেহলে মই যিহূদাৰ সকলো সহস্ৰৰ মাজত তাক বিচাৰি উলিয়াম।"
২৪ তাতে তেওঁলোক উঠি চৌলৰ আগতে জীফলৈ গ'ল। তেতিয়া দায়ুদ
আৰু তেওঁৰ লোকসকলে যে যিচীমোনৰ দক্ষিণ ফালে অৰাবাত থকা
মায়োন অৰণ্যত আছিল। ২৫ চৌল আৰু তেওঁৰ লোকসকলে তেওঁক
বিচাৰিবলৈ গৈছে সেই কথা দায়ূদক কোৱা হ'ল, তাতে তেওঁ শিলাময়
পৰ্বতেদি নামি আহি মায়োন অৰণ্যত থাকিবলৈ ল'লে। যেতিয়া চৌলে
এই কথা শুনিলে, তেতিয়া মায়োন অৰণ্যলৈ দায়ূদৰ পাছে পাছে খেদি
গ'ল। ২৬ চৌল পৰ্বতৰ একাষে গ'ল, দায়ুদ আৰু তেওঁৰ লোকসকলে
পৰ্বতৰ আন কাষে গ'ল। দায়ূদে চৌলৰ ভয়ত তাৰ পৰা আন ঠাইলৈ
যাবলৈ লৰালৰি কৰোঁতে, তেওঁক আৰু তেওঁৰ লোকসকলক ধৰিবলৈ
চৌলে নিজৰ লোকসকলৰ লগত তেওঁক বেৰি ধৰিব খোঁজোতে, ২৭
এজন বাৰ্তাবাহক চৌলৰ ওচৰলৈ আহি ক'লে, "আপুনি বেগাই আহক;

কিয়নো পলেষ্টীয়াসকলে দেশ আক্ৰমণ কৰিছে।” ২৮ তেতিয়া চৌলে
দায়ূদৰ পাছত খেদি যোৱাৰ পৰা ঘূৰি পলেষ্টীয়াসকলৰ বিৰুদ্ধে যাত্ৰা
কৰিলে। এই কাৰণে সেই ঠাইৰ নাম চেলা-হম্মহলকোথ হ’ল। ২৯
পাছত দায়ূদে তাৰ পৰা ওলাই গৈ অয়িন-গদীৰ নানা দুৰ্গম ঠাইত বাস
কৰিলে।

২৪ পলেষ্টীয়াসকলৰ পিছে পিছে যোৱাৰ পৰা উভটি আহি চৌলে
ক’লে, “দায়ুদ মৰুপ্ৰান্তৰ অয়িন-গদীৰত আছে।” ২ তেতিয়া চৌলে
ইস্ৰায়েলসকলৰ পৰা তিনি হাজাৰ মনোনীত লোক লৈ, অয়িন-গদীৰলৈ
গৈ দায়ুদ আৰু তেওঁৰ লোকসকলক বিচাৰিলে। ৩ তেওঁ বাটৰ মাজত
মেৰ-ছাগ ৰখা ঠাই পালে, য’ত এটা গুহা আছিল। চৌলে বিশ্ৰাম
লবলৈ ভিতৰলৈ সোমালে। কিন্তু দায়ুদ আৰু তেওঁৰ লোকসকল সেই
গুহাৰ অন্তৰ ভাগত বহি আছিল। ৪ দায়ূদৰ লোকসকলে তেওঁক
ক’লে, “চাওক যি দিনৰ বিষয়ে যিহোৱাই আপোনাক কৈছিল সেইদিন
আজিয়ে, ‘মই তোমাৰ শত্ৰুক তোমাৰ হাতত সমৰ্পণ কৰিম’ তাতে
তোমাৰ যি ইচ্ছা, তাকে তালৈ কৰিবা।” তেতিয়া দায়ূদে গৈ গোপনে
চৌলৰ চোলাৰ তল ভাগৰ এডোখৰ কাটি ল’লে। ৫ তাৰ পাছত দায়ূদৰ
হৃদয় ব্যাকুল হ’ল কাৰণ তেওঁ চৌলৰ চোলাৰ এডোখৰ কাটি লৈছিল।
৬ তেওঁ তেওঁৰ লোকসকলক ক’লে, “যিহোৱাৰ অভিষিক্ত মোৰ প্ৰভুলৈ
এনে কাম কৰিবলৈ, তেওঁৰ বিৰুদ্ধে হাত দাঙিবলৈ যিহোৱাই মোক
নিষেধ কৰক; কিয়নো তেওঁ যিহোৱাৰ অভিষিক্ত লোক।” ৭ এই
কথাৰে দায়ূদে তেওঁৰ লোকসকলক চৌলৰ বিৰুদ্ধে আক্ৰমণ কৰিবলৈ
বাধা দিলে। তাৰ পাছত চৌল গুহাৰ পৰা ওলাই নিজ বাটেদি গুচি
গ’ল। ৮ দায়ূদেও গুহাৰ পৰা বাহিৰ ওলাই, “হে মোৰ প্ৰভু মহাৰাজ,”
এই বুলি চৌলক ৰিঙিয়াই মাতিলে। যেতিয়া চৌলে তেওঁলৈ ঘূৰি চালে
তেতিয়া দায়ূদে মাটিলৈ তল মূৰ কৰি প্ৰণিপাত কৰিলে আৰু তেওঁক
সন্মান দিলে। ৯ দায়ূদে চৌলক ক’লে, “চাওক, দায়ূদে আপোনাৰ
অনিষ্ট কৰিবলৈ চেষ্টা কৰিছে বুলি লোকসকলে কোৱা কথা আপুনি
কিয় শুনে? ১০ আপুনি আজি নিজ চকুৰে দেখিছে যে, আজি এই
গুহাৰ ভিতৰত যিহোৱাই আপোনাক মোৰ হাতত সমৰ্পণ কৰিছিল।

কিছুমান লোকে মোক আপোনাক বধ কৰিবলৈ কৈছিল কিন্তু মই
আপোনালৈ কৃপাদৃষ্টি কৰিলোঁ।” মই ক’লোঁ, “মই নিজ প্ৰভুৰ বিৰুদ্ধে
মোৰ হাত নাদাঙিম; কাৰণ তেওঁ যিহোৱাৰ অভিষিক্ত লোক।” ১১
চাওক, মোৰ পিতৃ, এইয়া মোৰ হাতত আপোনাৰ চোলাৰ তল ভাগৰ
এডোখৰ আছে। মই আপোনাৰ চোলাৰ তল ভাগৰ এডোখৰ কাটি
ল’লোঁ, তথাপি আপোনাক বধ নকৰিলোঁ; আপুনি বিবেচনা কৰি চাওক
যে, মই আপোনাৰ বিৰুদ্ধে দুষ্কৰ্ম বা বিশ্বাস ঘাতক কৰা নাই, আৰু মই
আপোনাৰ বিৰুদ্ধে কোনো পাপ কৰা নাই; তথাপি আপুনি মোৰ প্ৰাণ
ল’বৰ কাৰণে বিচাৰি ফুৰিছে। ১২ যিহোৱাই মোৰ আৰু আপোনাৰ
মাজত বিচাৰ কৰিব, আৰু যিহোৱাই মোৰ কাৰণে আপোনাৰ ওপৰত
প্ৰতিকাৰ সাধিব; কিন্তু মোৰ হাত আপোনাৰ বিৰুদ্ধে নহ’ব। ১৩ প্ৰাচীন
লোকসকলে কথাতে কয়, ‘দুষ্টৰ পৰাই দুষ্টতা জন্মে।’ কিন্তু মোৰ হাত
আপোনাৰ বিৰুদ্ধে নহ’ব। ১৪ ইস্ৰায়েলৰ ৰজা কাৰ পাছত বাহিৰলৈ
ওলাই আহিছে? আপুনি নো কাৰ পাছত খেদি আহিছে? এটা মৰা
কুকুৰৰ পাছত! এটা মাখিৰ পাছত! ১৫ এই হেতুকে যিহোৱা বিচাৰকৰ্ত্তা
হৈ মোৰ আৰু আপোনাৰ মাজত বিচাৰ কৰক; তেওঁ দৃষ্টিপাত কৰি
মোৰ বিবাদ নিস্পত্তি কৰক, আৰু আপোনাৰ হাতৰ পৰা মোক ৰক্ষা
কৰক। ১৬ দায়ূদে চৌলক এই সকলো কথা কৈ শেষ কৰাৰ পাছত,
চৌলে সুধিলে, “হে মোৰ বোপা দায়ুদ, এয়ে জানো তোমাৰ মাত?”
এই বুলি কৈ চৌলে বৰ মাতেৰে ক্ৰন্দন কৰিলে। ১৭ তেওঁ দায়ূদক
ক’লে, “মোতকৈ তুমি ধাৰ্মিক; কাৰণ তুমি মোৰ মঙ্গল কৰিলা, কিন্তু
মই তোমাক অমঙ্গল কৰিলোঁ। ১৮ যিহোৱাই মোক তোমাৰ হাতত
সমৰ্পণ কৰিলতো, তুমি মোক বধ কৰা নাই; ইয়াতে তুমি যে মোলৈ
মঙ্গল ব্যৱহাৰ কৰিছা তাক আজি তুমি মোক দেখুৱালা। ১৯ কাৰণ
মানুহে নিজ শত্ৰুক ল’গ পালে তেওঁক নিৰাপদে যাবলৈ দিব নে?
সেয়ে আজি তুমি মোলৈ যি কৰিলা, তাৰ সলনি যিহোৱাই তোমাৰ
মঙ্গল কৰক। ২০ এতিয়া মই জানিছোঁ যে, তুমি নিশ্চয় ৰজা হ’বা, আৰু
ইস্ৰায়েলৰ ৰাজ্য তোমাৰ হাতত স্থাপন কৰা হ’ব।” ২১ সেয়ে তুমি মোৰ
পাছত মোৰ বংশ উচ্ছন্ন নকৰিবলৈ, আৰু মোৰ পিতৃ বংশৰ পৰা মোৰ

নামো লুপ্ত নকৰিবলৈ যিহোৱাৰ নামেৰে মোৰ আগত শপত খোৱা।
২২ তাতে দায়ূদে চৌলৰ আগত শপত খালে। তাৰ পাছত চৌল নিজৰ
ঘৰলৈ গ'ল, কিন্তু দায়ুদ আৰু তেওঁৰ লোকসকল দুৰ্গলৈ গ'ল।

**২৫** চমূৱেলৰ মৃত্যু হ'ল। ইস্ৰায়েলৰ সকলো লোক গোট খাই তেওঁৰ
বাবে বিলাপ কৰিলে, আৰু ৰামাত থকা তেওঁৰ ঘৰতে তেওঁক মৈদাম
দিলে। তাৰ পাছত দায়ূদে তাৰ পৰা মৰুপ্ৰান্তত থকা পাৰণলৈ গ'ল। ২
সেই সময়ত মায়োনৰ এজন মানুহ আছিল, তেওঁৰ সম্পত্তি কৰ্মিলত
আছিল। তেওঁ ধনৱান লোক আছিল। তেওঁৰ তিনি হাজাৰ মেৰ-ছাগ
আৰু এক হাজাৰ ছাগলী আছিল; তেওঁ কৰ্মিলত নিজৰ ভেড়াবোৰৰ নোম
কাটি আছিল। ৩ তেওঁৰ নাম নাবল আছিল, আৰু তেওঁৰ ভাৰ্য্যাৰ নাম
অবীগল আছিল। মহিলাগৰাকী জ্ঞানী আৰু দেখাত ধুনীয়া আছিল, কিন্তু
মানুহজন কঠিন-মনা আৰু দুষ্ট আছিল। তেওঁ কালেবৰ বংশৰ আছিল।
৪ দায়ূদে মৰুপ্ৰান্তৰত শুনিলে যে, নাবলে নিজৰ মেৰ-ছাগবোৰৰ নোম
কটি আছে। ৫ সেয়ে দায়ূদে দহ জন যুৱকক সেই ঠাইলৈ পঠালে।
দায়ূদে যুৱক সকলক ক'লে, "কৰ্মিলত থকা নাবলৰ ওচৰলৈ যোৱা
আৰু মোৰ নামেৰে তেওঁক মঙ্গলবাদ কৰিবা। ৬ তোমালোকে তেওঁক
ক'বা, 'আপোনাৰ মঙ্গল হওক আৰু আপোনাৰ ঘৰৰ মঙ্গল, আৰু
আপোনাৰ যি আছে সকলোৰে মঙ্গল হওক। ৭ মই শুনিলোঁ যে আপুনি
নোম কটি আছে। আপোনাৰ মেৰৰখীয়াসকল আমাৰ লগত থাকোঁতে,
আমি তেওঁলোকক অনিষ্ট কৰা নাছিলোঁ, আৰু তেওঁলোক যেতিয়ালৈকে
কৰ্মিলত আছিল, তেতিয়ালৈকে তেওঁলোকৰ একো হেৰুৱা নাছিল। ৮
আপোনাৰ যুৱকসলক সোধক, তেওঁলোকে আপোনাক ক'ব। এই
হেতুকে এতিয়া মোৰ যুৱকসকলে আপোনাৰ দৃষ্টিত অনুগ্ৰহপ্ৰাপ্ত হওক,
কাৰণ আমি শুভ দিনতে আহিছোঁ। আমি বিনয় কৰোঁ, আপোনাৰ
দাসবোৰক, আৰু আপোনাৰ পুত্ৰ দায়ূদক আপোনাৰ শক্তি অনুসাৰে
কিছু দিয়ক'।" ৯ যেতিয়া দায়ূদৰ যুৱকসকলে গৈ, দায়ূদৰ হৈ নাবলক
সেই সকলো কথা কৈ অপেক্ষা কৰিলে। ১০ নাবলে উত্তৰ দি দায়ূদৰ
দাসবোৰক ক'লে, "দায়ুদ কোন? আৰু যিচয়ৰ পুত্ৰ কোন? আজি-কালি
নিজ মালিকৰ পৰা আঁতৰি যোৱা এনে বহুত দাস আছে। ১১ তেন্তে মই

মোৰ পিঠা আৰু পানী আৰু মোৰ মেৰ-ছাগৰ নোম-কটাসকলৰ কাৰণে
ৰখা পশুৰ মাংস, এনে মানুহক দিম নে যি সকল কৰ পৰা আহিছে মই
নাজানো?" ১২ তাতে দায়ূদৰ যুৱকসকলে তাৰ পৰা ঘূৰি আহিল,
আৰু তেওঁ কোৱা সকলো কথা তেওঁক ক'লে। ১৩ দায়ূদে নিজৰ
লোকসকলক ক'লে, "প্ৰতিজনে তৰোৱাল বান্ধা।" তাতে প্ৰতিজনে
নিজ নিজ তৰোৱাল বান্ধিলে, আৰু দায়ূদেও নিজৰ তৰোৱাল বান্ধিলে;
দায়ূদৰ লগত প্ৰায় চাৰি শ লোক গ'ল, আৰু সামগ্ৰী ৰাখিবৰ বাবে দুশ
লোক থাকিল। ১৪ কিন্তু দাসবোৰৰ এজনে নাবলৰ ভাৰ্যা অবীগলক
ক'লে, "দায়ূদে আমাৰ প্ৰভুক মঙ্গলবাদ কৰিবলৈ মৰুপ্ৰান্তৰ পৰা
বাৰ্তাবাহকক পঠাইছিল, কিন্তু তেওঁ তেওঁলোকক অপমান কৰিলে।
১৫ কিন্তু সেই লোকসকল আমাৰ পক্ষে বৰ ভাল আছিল; আমি যিমান
দিন তেওঁলোকৰ লগত পথাৰত আছিলোঁ, আমাৰ কোনো অপকাৰ
হোৱা নাছিল, আৰু একো হেৰোৱাও নাছিল। ১৬ আমি যেতিয়ালৈকে
তেওঁলোকৰ ওচৰত থাকি মেৰ ৰখিছিলোঁ, তেতিয়ালৈকে তেওঁলোক
দিনে-ৰাতিয়ে আমাৰ চাৰিওফালে গড়স্বৰূপ হৈ আছিল। ১৭ সেয়ে
এতিয়া কি কৰা উচিত, সেই বিষয়ে আপুনি বিবেচনা কৰি চাওক;
কাৰণ আমাৰ মালিক আৰু তেওঁৰ বংশৰসকলোৰে বিৰুদ্ধে অমঙ্গল
থিৰ কৰা হৈছে; কাৰণ তেওঁ এনে দুৰ্জন যে, তেওঁক কোনোৱে একো
ক'ব নোৱাৰে।" ১৮ তাতে অবীগলে শীঘ্ৰে দুশ পিঠা, দুবটল দ্ৰাক্ষাৰস,
পাঁচটা যুগুত কৰা মেৰ-ছাগ, পাঁচ চেয়া ভজা শস্য, এশ থোপা শুকান
দ্ৰাক্ষাগুটি, আৰু দুশ লদা ডিমৰু গুটি লৈ গাধবোৰৰ পিঠিৰ ওপৰত
বোজা দিলে। ১৯ তেওঁ নিজৰ যুৱকজনক ক'লে, "তোমালোক মোৰ
আগত যোৱা, আৰু মই তোমালোকৰ পাছত যাম।" কিন্তু তেওঁ নিজৰ
স্বামী নাবলক হলে, এই বিষয়ে একো নক'লে। ২০ তাৰ পাছত তেওঁ
গাধত উঠি পৰ্বতৰ মাজেদি মানুহে দেখা পাব নোৱাৰা বাটেদি নামি
গ'ল, তাতে দায়ুদ আৰু তেওঁৰ লোকসকল তেওঁৰ সন্মুখেদি নামি
আহিল, আৰু তেওঁ তেওঁলোকক লগ পালে। ২১ দায়ূদে কৈছিল,
"মৰুপ্ৰান্তত থকা তেওঁৰ বস্তুবোৰ মই বৃথাই এনেকৈ পহৰা দিলোঁ যে,
তাৰ সকলো বস্তুৰ মাজৰ একোৱেই নেহেৰাল, আৰু তেওঁ উপকাৰৰ

সলনি মোলৈ অপকাৰহে কৰিলে। ২২ বেলি উদয় হোৱাৰ আগেয়ে মই
যদি তেওঁৰ বংশৰ মাজৰ এজন মানুহকো জিৱিত ৰাখোঁ, তেনেহলে
ঈশ্বৰে দায়ূদৰ শত্ৰুবোৰলৈ এনেকৈ আৰু তাতকৈ অধিক দণ্ড দিয়ক।
২৩ যেতিয়া অবীগলে দায়ূদক দেখিলে, গাধৰ পৰা বেগাই নামি দায়ূদৰ
আগত মাটিলৈ মুখ কৰি পৰি প্ৰণিপাত কৰিলে। ২৪ আৰু তেওঁৰ ভৰিত
পৰি ক'লে, "হে মোৰ প্ৰভু, মোৰ ওপৰতেই এই অপৰাধ পৰক; আৰু
মই বিনয় কৰোঁ, আপোনাৰ দাসীক আপোনাৰ আগত কথা ক'বলৈ
অনুমতি দিয়ক, আৰু আপোনাৰ দাসীৰ কথা শুনক। ২৫ মোৰ প্ৰভুৱে
সেই দুৰ্জন মানুহ নাবলৰ কথা গণ্য নকৰিব, কাৰণ তেওঁৰ নাম যেনে,
তেৰোঁ তেনেকুৱাই; তেওঁৰ নাম নাবল, আৰু মুৰ্খতা তেওঁত আছে।
কিন্তু মোৰ প্ৰভুৱে পঠোৱা সেই যুৱকসকলক আপোনাৰ এই দাসীয়ে
দেখা নাছিল। ২৬ এতিয়া হে মোৰ প্ৰভু, মই যিহোৱাৰ জীৱনৰ আৰু
আপোনাৰ জীৱনৰো শপত খাই কৈছোঁ, ৰক্তপাত কৰা দোষত দোষী
হ'বলৈ, আৰু নিজ হাতেৰে আপোনাৰ প্ৰতিকাৰ সাধিবলৈ যিহোৱাই
আপোনাক নিবাৰণ কৰিলে, এই দেখি এতিয়া আপোনাৰ শত্ৰুবোৰ,
মোৰ প্ৰভুৰ অনিষ্টলৈ চেষ্টা কৰাসকল নাবলৰ নিচিনা হওক। ২৭
আৰু এতিয়া এই যি উপহাৰ আপোনাৰ দাসীয়ে নিজৰ প্ৰভুৰ ওচৰলৈ
আনিছোঁ, সেই উপহাৰ এনে যুৱক সকলক দিয়া হওক, যিসকল
যুৱকে মোৰ প্ৰভুক অনুসৰণ কৰে। ২৮ মই বিনয় কৰোঁ, আপোনাৰ
দাসীৰ অপৰাধ ক্ষমা কৰক, কাৰণ যিহোৱাই নিশ্চয় মোৰ প্ৰভুৰ বংশ
চিৰস্থায়ী কৰিব, কাৰণ মোৰ প্ৰভুৱে যিহোৱাৰ কাৰণে যুদ্ধ কৰিছে;
আৰু আপোনাৰ জীৱনৰ শেষলৈকে আপোনাৰ কোনো অমঙ্গল দেখা
নাযাব। ২৯ আৰু এজন লোক আপোনাৰ পাছে পাছে খেদি যাবলৈ
আৰু আপোনাৰ প্ৰাণনাশৰ চেষ্টা কৰিবলৈ উঠিলেও, আপোনাৰ ঈশ্বৰ
যিহোৱাৰ ওচৰত মোৰ প্ৰভুৰ প্ৰাণ জীৱনস্বৰূপ টোপোলাত বন্ধা থাকিব,
আৰু তেওঁ আপোনাৰ শত্ৰুবোৰৰ প্ৰাণ যেন ফিঙ্গাত ৰাখি দলিয়াই
পেলাব। ৩০ যিহোৱাই মোৰ প্ৰভুৰ বিষয়ে যিবোৰ মঙ্গলৰ কথা কৈছে,
সেইবোৰ যেতিয়া তেওঁ সফল কৰি আপোনাক ইস্ৰায়েলৰ ওপৰত
অধিপতি নিযুক্ত কৰিব, ৩১ তেতিয়া অকাৰণে হোৱা ৰক্তপাতৰ আৰু

আত্ম-প্ৰতিকাৰ-সাধনৰ বাবে মোৰ প্ৰভুৰ হৃদয়ত অসন্তুষ্টি বা শোক
নজন্মিব, আৰু যেতিয়া যিহোৱাই মোৰ প্ৰভুৰ মঙ্গল কৰিব, তেতিয়া
আপোনাৰ এই দাসীক সোঁৰৰণ কৰিব।" ৩২ দায়ূদে অবীগলক ক'লে,
"আজি মোৰ লগত তোমাক সাক্ষাৎ কৰিবলৈ যিজন সৰ্ব্বশক্তিমান
ঈশ্বৰে তোমাক পঠালে, সেই ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱা ধন্য। ৩৩
আৰু তোমাৰ বিবেচনা ধন্য, আৰু আজিৰ দিনত ৰক্তপাতৰ দোষৰ
ও আত্ম-প্ৰতিকাৰ-সাধনৰ পৰা মোক নিবাৰণ কৰা যি তুমি, তুমিও
ধন্য। ৩৪ কাৰণ সঁচাকৈয়ে, ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাৰ জীৱনৰ শপত,
তেওঁ তোমাক আঘাত কৰিবলৈ মোক বাধা কৰিলে, তুমি মোক ল'গ
কৰিবলৈ শীঘ্ৰে নহা হ'লে, নিশ্চয়ে নাবলৰ সম্পৰ্কীয়সকলৰ মাজৰ সৰু
ল'ৰা এজনো ৰাতি পুৱালৈ অৱশিষ্ট নাথাকিলেহেঁতেন।" ৩৫ সেয়ে
দায়ূদে তেওঁৰ বাবে অনা বস্তুবোৰ তেওঁৰ হাতৰ পৰা লৈ তেওঁক ক'লে,
"তুমি শান্তিৰে ঘৰলৈ যোৱা; মই তোমাৰ কথা শুনিলোঁ আৰু গ্ৰহণ
কৰিলোঁ।" ৩৬ তাৰ পাছত অবীগল নাবলৰ ওচৰলৈ আহিল; আৰু
চালে, যে নাবল ৰজাৰ ভোজনৰ দৰে তেওঁৰ ঘৰত ভোজ পাতিছে,
আৰু তেওঁ অতিশয় মাতাল হৈ আছিলা আৰু তেওঁৰ মন প্ৰফুল্লিত হৈ
আছিল; এই হেতুকে অবীগলে ৰাতিপুৱা নোহোৱালৈকে সেই বিষয়ৰ
একোকে তেওঁৰ আগত নক'লে। ৩৭ ৰাতিপুৱা নাবলৰ দ্ৰাক্ষাৰসৰ
নিচা শেষ হৈ যোৱাৰ পাছত তেওঁৰ ভাৰ্যাই তেওঁৰ আগত সেই সকলো
কথা ক'লে, তেতিয়া তেওঁৰ অন্তৰ ঠৰ হৈ গ'ল আৰু তেওঁৰ হৃদয় শিলৰ
দৰে হ'ল। ৩৮ আৰু প্ৰায় দহ দিনমানৰ পাছত, যিহোৱাই নাবলক
আঘাত কৰিলে ােৰু তেওঁৰ মৃত্যু হ'ল। ৩৯ দায়ূদে নাবলৰ মৃত্যুৰ
কথা শুনি ক'লে, "যিহোৱা ধন্য; নাবলৰ পৰা পোৱা অপমানৰ বিষয়ে
মোৰ গোচৰ তেওঁ নিষ্পতি কৰিলে, আৰু নিজ দাসক কুকাৰ্যৰ পৰা
ৰক্ষা কৰিলে; আৰু নাবলৰ যি দুষ্কৰ্ম, তাৰ প্ৰতিফল যিহোৱাই তাৰ
মূৰত দিলে।" তাৰ পাছত দায়ূদে অবীগলক নিজৰ ভাৰ্যা কৰিবৰ বাবে
তেওঁক আনিবলৈ মানুহ পঠালে। ৪০ যেতিয়া দায়ূদৰ দাস সকলে
কৰ্মিলত থকা অবীগলৰ ওচৰলৈ গৈ তেওঁক ক'লে, "দায়ূদে আপোনাক
বিবাহ কৰিবৰ অৰ্থে আপোনাক নিবলৈ আপোনাৰ ওচৰলৈ আমাক

পঠালে।” ৪১ তেতিয়া তেওঁ উঠি মাটিলৈ মুখ দি পৰি প্ৰণিপাত কৰি
ক’লে, “চাওক, আপোনাৰ এই দাসী মোৰ প্ৰভুৰ দাসবোৰৰ ভৰি
ধুৱাবলৈ যুগুত আছে।” ৪২ অবীগলে শীঘ্ৰে গাধত উঠি, নিজৰ পাঁচ
জনী যুৱতী দাসীৰ সৈতে দায়ূদৰ বাৰ্তাবাহকসকলৰ পাছত গ’ল, আৰু
দায়ূদৰ ভাৰ্যা হ’ল। ৪৩ দায়ূদে যিজ্ৰিয়েলীয়া অহীনোৱমকো বিয়া
কৰিছিল; তাতে এই দুয়ো জনী তেওঁৰ ভাৰ্যা হ’ল। ৪৪ কিন্তু চৌলে
নিজৰ জীয়েক দায়ূদৰ ভাৰ্যা মীখলক লৈ, গল্লীম নিবাসী লয়িচৰ পুত্ৰ
পল্টিক দিছিল।

২৬ পাছত জীফীয়াসকলে গিবিয়াত থকা চৌলৰ ওচৰলৈ গ’ল আৰু
ক’লে, “দায়ুদ জানো মৰুপ্ৰান্তৰ সন্মুখত থকা হখীলা পাহাৰত লুকাই
থকা নাই?” ২ তেতিয়া চৌল উঠিল আৰু জীফৰ মৰুপ্ৰান্তলৈ নামি
গ’ল। তাতে তেওঁ ইস্ৰায়েলৰ তিনি হাজাৰ মনোনীত লোকক লগত
ল’লে আৰু জীফৰ মৰুপ্ৰান্তলৈ দায়ূদক বিচাৰি গ’ল। ৩ চৌলে হখীলা
পাহাৰত ছাউনি পাতিলে, সেয়া মৰুপ্ৰান্তৰ পথৰ দাতিত আছিল। কিন্তু
দায়ুদ মৰুপ্ৰান্তত আছিল, তেওঁ দেখিলে যে চৌলে তেওঁক বিচাৰি
মৰুপ্ৰান্তলৈ আহিছে। ৪ তেতিয়া তালৈ দায়ুদে চোৰাং-চোৰা পঠিয়ালে
আৰু চৌল যে নিশ্চয়ে আহিছে, সেই বিষয়ে জানিব বিচাৰিলে। ৫ পাছত
দায়ুদ উঠিল আৰু চৌলে ছাউনি পতা ঠাইলৈ গ’ল। তেওঁ চৌল আৰু
তেওঁৰ সেনাপতি নেৰৰ পুত্ৰ অবনেৰৰ শোৱা ঠাই চালে; তেতিয়া চৌল
ছাউনিৰ ভিতৰত শুই আছিল আৰু লোকসকল ছাউনিৰ চাৰিওফালে
শুই আছিল। ৬ তাতে দায়ূদে হিত্তীয়া অহীমেলক আৰু চৰূয়াৰ পুত্ৰ
যোৱাবৰ ভায়েক অবীচয়ক ক’লে, “চৌলৰ ছাউনিৰ ওচৰলৈ মোৰ
লগত কোন যাব?” অবীচয়ে ক’লে, “আপোনাৰ লগত মই যাম।”
৭ সেয়ে দায়ুদ আৰু অবীচয়ে সেই ৰাতি সেনাসকলৰ ওচৰলৈ গৈ
দেখিলে যে, চৌল ছাউনিৰ ভিতৰত শুই আছে আৰু তেওঁৰ মূৰ-
শিতানৰ ওচৰত তেওঁৰ যাঠী মাটিত খোঁচ মাৰি থোৱা আছে। অবনেৰ
আৰু তেওঁৰ সেনাসকলে তেওঁৰ চাৰিওফালে শুই আছিল। ৮ তেতিয়া
অবীচয়ে দায়ূদক ক’লে, “আজি ঈশ্বৰে আপোনাৰ শত্ৰুক আপোনাৰ
হাতত সমৰ্পণ কৰিছে, এতিয়া যাঠীৰে তেওঁক একেবাৰে মাটিয়ে

সৈতে শালিবলৈ মোক অনুমতি দিয়ক; মই তেওঁক দ্বিতীয়বাৰ আঘাত
নকৰোঁ।” ৯ দায়ূদে অবীচয়ক ক’লে, “তেওঁক বিনষ্ট নকৰিবা; কাৰণ
যিহোৱাৰ অভিষিক্ত জনৰ বিৰুদ্ধে হাত দাঙি কোনো নিৰপৰাধী হৈ
থাকিব নোৱাৰে?” ১০ দায়ূদে পুনৰ ক’লে, “যিহোৱাৰ জীৱনৰ শপত,
তেওঁক যিহোৱাই আঘাত কৰিব, বা তেওঁৰ অন্তিম কাল আহিলে তেওঁ
নিজে মৰিব, নাইবা তেওঁ ৰণলৈ গৈ তাতেই বিনষ্ট হ’ব। ১১ মই যে
যিহোৱাৰ অভিষিক্ত জনৰ বিৰুদ্ধে হাত দাঙিম, যিহোৱাই মোৰ পৰা
এনে কাৰ্য দূৰ কৰক; কিন্তু মই বিনয় কৰোঁ, তুমি এতিয়া গৈ, তেওঁৰ
মূৰ-শিতানৰ ওচৰত থকা যাঠি আৰু জলপাত্ৰটো লৈ আহাঁ, তাৰ পাছত
আমি গুচি যাম।” ১২ এইদৰে দায়ূদে চৌলৰ মূৰ-শিতানৰ ওচৰৰ পৰা
সেই যাঠি আৰু জলপাত্ৰটো লৈ আতৰি আহিল, কিন্তু কোনেও তাক
নেদেখিলে আৰু নাজানিলে। তেতিয়া কোনেও সাৰ নাপালে; কিয়নো
সকলোৱেই নিদ্ৰিত আছিল, কাৰণ যিহোৱাই তেওঁলোকক ঘোৰ
নিদ্ৰাত পেলাইছিল। ১৩ পাছত দায়ুদ আনফালে গ’ল আৰু পৰ্ব্বতৰ
টিঙলৈ উঠি গ’ল; তেওঁলোকৰ মাজত বৰ বহল ঠাই আছিল। ১৪
তেতিয়া দায়ূদে লোকসকলক আৰু নেৰৰ পুত্ৰ অবনেৰক মাতি ৰিঙিয়াই
ক’লে, হে অবনেৰ, তুমি জানো উত্তৰ নিদিয়া? তাতে অবনেৰে উত্তৰ
দি ক’লে, “ৰজালৈ চিঞৰি কোৱা তুমি কোন?” ১৫ পাছত দায়ুদে
অবনেৰক কলে, “তুমি জানো বীৰ নোহোৱা? ইস্রায়েলৰ মাজত
তোমাৰ নিচিনা কোন আছে? তেনেহলে তুমি নিজ প্ৰভু ৰজাক কিয়
ক্ষমা নকৰিবা? কিয়নো চোৱা, তোমাৰ প্ৰভু ৰজাক ধ্বংস কৰিবলৈ
লোকসকলৰ মাজত কোনোবা এজন সোমাইছিল। ১৬ তুমি ভাল কৰ্ম
কৰা নাই। যিহোৱাৰ জীৱনৰ শপত, তোমালোক প্ৰাণগুৰ যোগ্য;
কিয়নো তোমালোকে যিহোৱাৰ অভিষিক্ত তোমালোকৰ প্ৰভুক ৰক্ষা
কৰা নাই। আৰু তুমি এতিয়া চোৱা, ৰজাৰ মূৰ-শিতানৰ ওচৰত
থকা বৰছা আৰু জলপাত্ৰ ক’ত আছে? ১৭ তেতিয়া চৌলে দায়ুদৰ
মাত বুজি পাই ক’লে, “হে মোৰ বোপা দায়ুদ, এয়ে তোমাৰ মাত
নে?” তাতে দায়ুদে ক’লে, “হয় প্ৰভু মহাৰাজ, মোৰ মাত।” ১৮ তেওঁ
পুনৰ ক’লে, “মোৰ প্ৰভুৱে আপোনাৰ দাসৰ পাছে পাছে কিন্তু খেদি

আহিছে? মই নো কি কৰিলোঁ? আৰু মোৰ হাতত বা কি অনিষ্ট আছে?
১৯ এই হেতুকে বিনয় কৰোঁ, মোৰ প্ৰভু মহাৰাজে আপোনাৰ দাসৰ
কথা শুনক। যদি যিহোৱাই মোৰ বিৰুদ্ধে আপোনাক উদগাই থাকে,
তেন্তে তেওঁ নৈবেদ্যৰ ঘ্ৰাণ গ্ৰহণ কৰক; কিন্তু যদি মানুহৰ সন্তান
সকলেহে তাক কৰে, তেন্তে সিহঁত যিহোৱাৰ সাক্ষাতে শাপগ্ৰস্ত হওঁক;
কিয়নো মই যেন যিহোৱাৰ আধিপত্যৰ ভগী নহ'ম, এই কাৰণে সিহঁতে
অন্য দেৱতাবোৰৰ আৰাধনা কৰাগৈ বুলি মোক আজি বাহিৰ কৰি
খেদিলে। ২০ এই হেতুকে এতিয়া যিহোৱাৰ অসাক্ষাতে মোৰ তেজ
ভুমিত নপৰক; কিয়নো পৰ্ব্বতত কইৰা চৰাইৰ পাছত খেদি ফুৰা
চিকাৰীৰ নিচিনাকৈ, ইস্ৰায়েলৰ ৰজাই এটি কুকুৰচিটিকাক বিচাৰি
ওলাই আহিছে।” ২১ তাতে চৌলে ক'লে, “মই পাপ কৰিলোঁ। হে মোৰ
বোপা দায়ুদ, তুমি উভটি আহাঁ; মই তোমাক পুনৰ হিংসা নকৰোঁ;
কিয়নো আজি মোৰ প্ৰাণ তোমাৰ দৃষ্টিত মহামূল্যৱান হ'ল; চোৱা,
মই অজ্ঞানৰ কৰ্ম কৰিলোঁ আৰু অতিশয় ভুলত পৰিলোঁ।” ২২ পাছত
দায়ূদে উত্তৰ দিলে, “হে মহাৰাজ, যাঠিডাল চাওক; আৰু ডেকাসকলৰ
কোনো এজনে আহি ইয়াক লৈ যাওক। ২৩ যিহোৱাই প্ৰতিজনক তাৰ
ধাৰ্মিকতা আৰু বিশ্বস্ততা অনুসাৰে প্ৰতিফল দিব; কিয়নো যিহোৱাই
আজি আপোনাক মোৰ হাতত শোধাই দিছিল, কিন্তু মই যিহোৱাৰ
অভিষিক্ত জনৰ বিৰুদ্ধে হাত দাঙিবলৈ সন্মত নহ'লো। ২৪ এই হেতুকে
চাওক, আজি যেনেকৈ মোৰ সাক্ষাতে আপোনাৰ প্ৰাণ মহামূল্যৱান
হ'ল, তেনেকৈ যিহোৱাৰ সাক্ষাতে মোৰ প্ৰাণো মহামূল্যৱান হওক,
আৰু তেওঁ সকলো সঙ্কটৰ পৰা মোক উদ্ধাৰ কৰক।” ২৫ পাছত চৌলে
দায়ূদক ক'লে, “হে মোৰ বোপা দায়ুদ, তুমি ধন্য; তুমি অৱশ্যে মহৎ
কৰ্ম কৰিবা, আৰু কৃতকাৰ্যও হ'বা।” পাছত দায়ূদে নিজ বাটেদি গুচি
গ'ল, আৰু চৌলো তেওঁৰ ঠাইলৈ উভটি গ'ল।

**২৭** পাছত দায়ূদে মনতে ভাবিলে, ‘মই এতিয়া কোনো এদিন চৌলৰ
হাতত বিনষ্ট হ'ম। পলেষ্টীয়াসকলৰ দেশলৈ পলাই যোৱাৰ বাহিৰে,
মোৰ আন কোনো উপায় নাই; তালৈ গ'লে চৌলে ইস্ৰায়েলৰ সকলো
অঞ্চলত মোক বিচাৰিবলৈ ক্ষান্ত হ'ব, আৰু মই তেওঁৰ হাতৰ পৰা

ৰক্ষা পাম'। ২ এই কাৰণে দায়ুদ উঠিল আৰু নিজৰ ছশ লোকক
লগত লৈ মায়োকৰ পুত্ৰ গাতৰ ৰজা আখীচৰ ওচৰলৈ গ'ল। ৩
দায়ূদে গাতত আখীচৰ সৈতে বাস কৰিবলৈ ল'লে, তেওঁ আৰু তেওঁৰ
লোকসকলে নিজ নিজ পৰিয়ালে সৈতে তাতে বাস কৰিলে। বিশেষকৈ
দায়ুদ আৰু তেওঁৰ ভাৰ্যা যিজ্ৰিয়েলীয়া অহীনোৱম আৰু মৃত নাবলৰ
তিৰোতা কৰ্ম্মিলীয়া অবীগল তেওঁৰ সৈতে তাতে প্ৰবাস কৰিলে। ৪
পাছত চৌলে দায়ুদ পলাই যোৱাৰ খবৰ শুনিলে আৰু তেওঁক বিচাৰি
নুফুৰিলে। ৫ তাৰ পাছত দায়ূদে আখীচক ক'লে, "মই যদি আপোনাৰ
দৃষ্টিত অনুগ্ৰহপ্ৰাপ্ত হৈছোঁ, তেনেহলে দেশৰ নগৰবোৰৰ মাজৰ কোনো
এখন নগৰত মোক থকিবলৈ ঠাই দিয়ক; কিয়নো আপোনাৰ এই
দাসে আপোনাৰ লগত ৰাজধানীত কিয় বসতি কৰিব?" ৬ তাতে
আখীচে সেইদিনা চিক্লগ নগৰ তেওঁক দিলে; সেয়ে আজিলৈকে চিক্লগ
যিহূদাৰ ৰজাসকলৰ অধিকাৰত আছে। ৭ দায়ূদে পলেষ্টীয়াসকলৰ
দেশত সম্পূৰ্ণ এবছৰ চাৰি মাহ বাস কৰিলে। ৮ সেই সময়ত দায়ুদ
আৰু তেওঁৰ লোকসকলে গৈ, গচুৰীয়া, গিৰ্জীয়া, আৰু অমালেকীয়া
লোকসকলক আক্ৰমণ কৰিবলৈ গৈছিল; কিয়নো এই লোকসকলে
অতীতত চূৰৰ পৰা মিচৰ দেশলৈকে বাস কৰি আছিল। ৯ দায়ূদে
সেই দেশত থকা লোকসকলক আক্ৰমণ কৰিলে আৰু তেওঁলোকৰ
পুৰুষ-মহিলা কাকো জীয়াই নাৰাখিলে। তাৰ পৰা সকলো মেৰ-ছাগ,
গৰু, গাধ, উট, আৰু কাপোৰ আদি লৈ আখীচৰ ওচৰলৈ উভতি
আহিল। ১০ তাতে আখীচে ক'লে, "আজি তোমালোকে কাৰ বিৰুদ্ধে
আক্ৰমণ কৰিছিলা?" তেতিয়া দায়ূদে উত্তৰ দি ক'লে, "যিহূদাৰ দক্ষিণ
অঞ্চলৰ বিৰুদ্ধে," বা "কেনীয়া সকলৰ দক্ষিণ অঞ্চলৰ বিৰুদ্ধে," বা
"যিৰহমেলীয়া সকলৰ দক্ষিণ অঞ্চলৰ বিৰুদ্ধে।" ১১ কিন্তু 'দায়ূদে
আমাৰ বিৰুদ্ধে এনে কৰ্ম কৰিলে' এইদৰে সিহঁতে ক'ব পাৰে বুলি
ভাবি, দায়ূদে কোনো পুৰুষ বা মহিলাক গাতলৈ আনিবৰ বাবে জীয়াই
নাৰাখিলে। তেওঁ পলেষ্টীয়াসকলৰ দেশত বাস কৰা গোটেই কালত
এইদৰে ব্যৱহাৰ কৰিছিল। ১২ আখীচে দায়ূদক বিশ্বাস কৰিছিল আৰু

কৈছিল, “তেওঁ নিজ জাতি ইস্ৰায়েলৰ আগত নিজকে অতি ঘিণলগীয়া
কৰিছে, গতিকে তেওঁ সদায় মোৰ দাস হৈ থাকিব।”

২৮ সেই সময়ত পলেষ্টীয়া লোকসকলে ইস্ৰায়েলৰ সৈতে যুদ্ধ কৰাৰ
অভিপ্ৰায়েৰে তেওঁলোকে সৈন্য-সামন্ত গোটাবলৈ ধৰিলে। তাতে
আখীচে দায়ূদক ক'লে, “তুমি আৰু তোমাৰ লোকসকলে সৈন্যসামন্তৰ
মাজত মোৰ লগত যাব লাগিব, ইয়াকে নিশ্চয়ে জানিবা।” ২ তেতিয়া
দায়ূদে আখীচক ক'লে, “ভাল, আপোনাৰ এই দাসে কি কৰিব পাৰে,
সেয়া আপুনি জানিব পাৰিব।” তেতিয়া আখীচে দায়ূদক ক'লে, “বাৰু,
জীয়াই থকালৈকে মইও তোমাক মোৰ ৰখীয়া পাতিম।” ৩ চমূৱেলৰ
মৃত্যু হ'ল। তেওঁৰ মৃত্যুত ইস্ৰায়েলীসকলে গভীৰ শোক প্ৰকাশ কৰিলে।
পাছত তেওঁলোকে তেওঁক নিজ নগৰ ৰামাত মৈদাম দিলে। পাছত
ভূত পোহা আৰু গুণমন্ত্ৰ জনা লোকসকলক চৌলে দেশৰ পৰা আতৰ
কৰিলে। ৪ পলেষ্টীয়াসকল নিজৰ মাজত গোট খালে আৰু তেওঁলোকে
আহি চুনেমত ছাউনি পাতিলে; আৰু চৌলেও আটাই ইস্ৰায়েলী লোকক
গোট খুৱালে আৰু গিলবোৱাত ছাউনি পাতিলে। ৫ চৌলে যেতিয়া
পলেষ্টীয়াসকলৰ সৈন্য-সামন্ত দেখিলে, তেতিয়া তেওঁ ভয় কৰিলে,
আৰু তেওঁৰ হৃদয় বৰকৈ কঁপিবলৈ ধৰিলে। ৬ তেতিয়া চৌলে সহায়
বিচাৰি যিহোৱাৰ ওচৰত প্ৰাৰ্থনা কৰিলে, কিন্তু যিহোৱাই সপোনৰ
দ্বাৰাই, বা উৰীমৰ দ্বাৰাই, বা ভাববাদীসকলৰ দ্বাৰায়ে হওক, কোনো
প্ৰকাৰেই তেওঁক একো উত্তৰ নিদিলে। ৭ তেতিয়া চৌলে তেওঁৰ
দাসবোৰক ক'লে, “তোমালোকে মোৰ অৰ্থে কোনো প্ৰেতাত্মাৰ সৈতে
কথা কোৱা মহিলা এজনী বিচাৰা; তাতে মই তাইৰ ওচৰলৈ গৈ তাইক
সুধিম।” পাছত তেওঁৰ দাসবোৰে তেওঁক ক'লে, “চাওক, অয়িন-
দোৰত এজনী প্ৰেতাত্মাৰ সৈতে কথা কোৱা মহিলা আছে।” ৮ তেতিয়া
চৌলে বেলেগ কাপোৰ পিন্ধি ছদ্ম-বেশ ধৰিলে আৰু দুজন মানুহ লগত
লৈ সেই ঠাইলৈ যাত্ৰা কৰিলে। পাছত তেওঁলোকে গৈ ৰাতিয়েই সেই
মহিলাৰ ওচৰ পালে। তাতে তেওঁ সেই মহিলাক ক'লে, “মই বিনয়
কৰোঁ, তুমি মোৰ কাৰণে এবাৰ ভৌতিক বিদ্যাৰে কাৰ্য কৰা, তাতে
মই যাৰ নাম ক'ম, তেওঁক তুলি আনা।” ৯ তেতিয়া সেই মহিলাই

তেওঁক ক'লে, "চাওক, চৌলে কি কৰিলে, সেই বিষয়ে আপুনি জানে।
তেখেতে প্ৰেতাত্মাৰ সৈতে কথা কোৱা বা ভূত পোহাবোৰক দেশত
নিষিদ্ধ কৰিলে। এই হেতুকে মোক বধ কৰিবলৈ মোৰ প্ৰাণৰ বিৰুদ্ধে
কিয় ফান্দ পাতিছে? ১০ তাতে চৌলে যিহোৱাৰ নামেৰে তাইৰ
আগত শপত খাই ক'লে, "যিহোৱাৰ জীৱনৰ শপত, ইয়াতে তোমালৈ
কোনো দণ্ড নঘটিব।" ১১ তেতিয়া সেই মহিলাই তেওঁক সুধিলে,
"মই আপোনাৰ ওচৰলৈ কাক তুলি আনিম?" তেতিয়া তেওঁ ক'লে,
"চমূৱেলক তুলি আনা।" ১২ তেতিয়া সেই মহিলাই চমূৱেলক দেখা
পালে আৰু ৰবকৈ চিঞৰিলে। পাছত তাই চৌলক ক'লে, "আপুনি মোক
কিয় প্ৰতাৰণা কৰিলে? আপুনিয়েই চৌল।" ১৩ তেতিয়া ৰজাই তাইক
ক'লে, "ভয় নকৰিবা; তুমি কি দেখি আছা?" তাতে সেই মহিলাই
চৌলক ক'লে, "এজন দেৱতা ভূমিৰ পৰা উঠি অহা দেখি আছোঁ।" ১৪
চৌলে তাইক সুধিলে, "তেওঁ দেখাত কেনেকুৱা?" তাই ক'লে, "এজন
বৃদ্ধ লোক উঠি আহিছে; তেওঁ দীঘল চোলাৰে ঢকা আছে।" তেতিয়া
চৌলে তেওঁক চমূৱেল বুলি বুজি পালে আৰু আঁঠুকাঢ়ি মাটিত মুখ
লগাই প্ৰণিপাত কৰিলে। ১৫ পাছত চমূৱেলে চৌলক সুধিলে, "তুমি
মোক কিয় উঠাই আনি আমনি কৰিছা?" তাতে চৌলে উত্তৰ দিলে,
"মই অতি সঙ্কটত আছোঁ; পলেষ্টীয়াসকলে মোৰ বিৰুদ্ধে যুদ্ধ কৰিছে,
আৰু যিহোৱাই মোক ত্যাগ কৰিলে, ভাববাদীৰ দ্বাৰাই, বা সপোনৰ
দ্বাৰাই মোক কোনো উত্তৰ দিয়া নাই; সেয়ে মই কি কৰা উচিত, সেই
বিষয়ে মোক জনাবৰ বাবে আপোনাক মাতি আনিলো।" ১৬ তেতিয়া
চমূৱেলে চৌলক ক'লে, "এই বিষয়ে তুমি মোক কিয় সুধিছা? কিয়নো
যিহোৱাই তোমাক ত্যাগ কৰিলে আৰু তোমাৰ শত্ৰু হ'ল। ১৭ যিহোৱাই
যেনেদৰে মোৰ যোগেদি কৈছিল, তেওঁ তেনেকৈ কৰিলে; আৰু তেওঁ
তোমাৰ হাতৰ পৰা ৰাজ্য কাঢ়ি লৈ দায়ূদক দিলে। ১৮ কিয়নো তুমি
যিহোৱাৰ বাক্য পালন কৰা নাই, আৰু অমালেকলৈ তেওঁৰ প্ৰচণ্ড
ক্ৰোধ সিদ্ধ কৰা নাই; এই কাৰণে যিহোৱাই আজি তোমালৈ এই কৰ্ম
কৰিলে। ১৯ যিহোৱাই তোমাক আৰু ইস্ৰায়েলকো পলেষ্টীয়াসকলৰ
হাতত শোধাই দিব। কাইলৈ তুমি আৰু তোমাৰ পুত্ৰসকলো মোৰ লগ

হ’বা; যিহোৱাই ইস্ৰায়েলৰ সৈন্য-সামন্ত সকলকো ফিলিষ্টীয়া সকলৰ
হাতত সমৰ্পণ কৰিব।” ২০ তেতিয়া চৌলে চমূৱেলৰ বাক্য শুনি ভয়
পালে আৰু মাটিত দীঘল হৈ পৰিল। আনহাতে গোটেই দিন গোটেই
ৰাতি অনাহাৰে থকা বাবে তেওঁৰ গাত একো শক্তি নাছিল। ২১ পাছত
সেই মহিলাই চৌলৰ ওচৰলৈ আহিল আৰু তেওঁক অতিশয় ব্যাকুল
হোৱা দেখিলে, তাতে তাই তেওঁক ক’লে, “চাওক, আপোনাৰ দাসীয়ে
আপোনাৰ বাক্য মানিলে আৰু নিজৰ হাতত আপোন প্ৰাণ লৈ আপুনি
মোক কোৱাৰ দৰে কৰিলোঁ। ২২ এই হেতুকে বিনয় কৰোঁ, এতিয়া
আপুনিও এই দাসীৰ কথা শুনক। মই আপোনাৰ আগত কিছুমান
খোৱা বস্তু আনি দিওঁ, তাতে আপুনি সেইবোৰ ভোজন কৰক; তেতিয়া
নিজ বাটত যাবলৈ আপুনি কিছু শক্তি পাব।” ২৩ কিন্তু চৌলে অমান্তি
হ’ল আৰু ক’লে, “মই ভোজন নকৰোঁ।” তথাপি তেওঁৰ দাস সকলে
আৰু সেই মহিলাই বৰকৈ মিনতি কৰিবলৈ ধৰিলে, তাতে তেওঁ সিহঁতৰ
কথা শুনি মাটিৰ পৰা উঠি বিচনাত বহিল। ২৪ সেই মহিলাৰ ঘৰত
এটা দামুৰি আছিল। তাতে তাই সেই দামুৰিটো সোনকালে লৈ আহিল
আৰু তাক মাৰিলে। পাছত আটা লৈ খচি খমীৰ নিদিয়া পিঠা তাও দি
তৈয়াৰ কৰিলে। ২৫ তাৰ পাছত চৌল আৰু তেওঁৰ দাস সকলৰ আগত
সেইবোৰ আনি দিলে, আৰু তেওঁলোকে সেইবোৰ ভোজন কৰিলে।
পাছত সেই ৰাতিয়েই তেওঁলোক উঠি গুচি গ’ল।

**২৯** পাছত পলেষ্টীয়াসকলে নিজৰ সৈন্যসামন্তক অফেকত একগোট
কৰিলে, তেতিয়া ইস্ৰায়েলৰ লোকসকলে যিজ্ৰিয়েলত থকা ভুমুকৰ
ওচৰত ছাউনি পাতিলে। ২ যেতিয়া পলেষ্টীয়া অধিপতিসকলে হাজাৰ
হাজাৰ সৈন্য লৈ ক্ৰমে আগবাঢ়ি গ’ল, তেতিয়া সকলোৰে শেষত
আখীচৰ লগত দায়ুদ আৰু তেওঁৰ লোকসকলো গ’ল। ৩ তেতিয়া
ফিলিষ্টীয়া অধিপতিসকলে সুধিলে, “এই ইব্ৰীয়া লোকসকলে ইয়াত কি
কৰি আছে?” তেতিয়া আখীচে পলেষ্টীয়া অধিপতি সকলক উত্তৰ দি
ক’লে, “সেই মানুহ জন ইস্ৰায়েলৰ ৰজা চৌলৰ দাস দায়ুদ নহয় নে?
তেওঁ ক’ত দিন আৰু ক’ত বছৰ মোৰ লগত বাস কৰি আছে; আৰু তেওঁ
যেতিয়াৰে পৰা মোৰ ফলীয়া হ’ল, তেতিয়াৰে পৰা আজিলৈকে মই

তেওঁৰ কোনো দোষ পোৱা নাই।” ৪ কিন্তু তেওঁৰ ওপৰত পলেষ্টীয়া
অধিপতিসকলৰ খং উঠিল আৰু তেওঁলোকে তেওঁক ক’লে, “তুমি
তাক ওলোটাই পঠাই দিয়া। তুমি যি ঠাই তাক নিৰূপণ কৰি দিছিলা,
সেই ঠাইলৈ সি উভতি যাওক। সি আমাৰ লগত যুদ্ধলৈ নাহক, সি
যুদ্ধলৈ আহিলে কিজানি আমাৰ শত্ৰু হ’ব; নহলেনো সি কিহেৰে
নিজ প্ৰভুক সন্তুষ্ট কৰিব পাৰিব? এই লোকসকলৰ মূৰেৰে নহয়
নে? ৫ দায়ূদক লৈ লোকসকলে পৰস্পৰৰ মাজত গান গাই এইদৰে
যে নাচিছিল, ‘চৌলে বধিলে হাজাৰ হাজাৰ লোকক, দায়ূদে বধিলে
অযুত অযুত লোকক, ই জানো সেই দায়ুদ নহয়?’” ৬ তেতিয়া
আখীচে দায়ূদক মাতি আনিলে আৰু তেওঁক ক’লে, “যিহোৱাৰ জীৱনৰ
শপত, তুমি সৰল লোক, আৰু সৈন্যসামন্তৰ মাজত তুমি যে মোৰ
লগত আহিছা, সেয়া মই ভাল দেখিছোঁ; কিয়নো তুমি মোৰ ওচৰলৈ
অহা দিনৰে পৰা আজিলৈকে মই তোমাৰ কোনো দোষ পোৱা নাই;
তথাপি অধিপতিসকল তোমাক লৈ সন্তুষ্ট নহয়। ৭ এতেকে পলেষ্টীয়া
অধিপতিসকলক বেজাৰ নিদিবৰ বাবে, এতিয়া তুমি কুশলে উভটি
যোৱা।” ৮ তেতিয়া দায়ূদে আখীচক ক’লে, “কিন্তু মই কি কৰিলোঁ?
যেতিয়াৰে পৰা আপোনাৰ লগত আছোঁ, তেতিয়াৰে পৰা আজিলৈকে
আপুনি এই দাসৰ জীৱনত কি দোষ পালে যে, মই মোৰ প্ৰভু মহাৰাজৰ
শত্ৰুবোৰৰ লগত যুদ্ধ কৰিবলৈ যাব নোৱাৰোঁ?” ৯ তেতিয়া আখীচে
দায়ূদক ক’লে, “মই জানিছোঁ যে, তুমি মোৰ দৃষ্টিত ঈশ্বৰৰ দূতৰ
নিচিনা উত্তম; তথাপি পলেষ্টীয়া অধিপতি সকলে কৈছে, ‘সেই মানুহ
আমাৰ লগত ৰণলৈ যাব নোৱাৰে।’ ১০ এই হেতুকে তুমি আৰু তোমাৰ
লগত অহা তোমাৰ প্ৰভুৰ দাস সকলে ৰাতিপুৱাই উঠিবা আৰু পোহৰ
হ’লেই প্ৰস্থান কৰিবা।” ১১ তেতিয়া দায়ুদ আৰু তেওঁৰ লোকসকলে
ৰাতিপুৱাই উঠিল আৰু যাত্ৰা কৰি ফিলিষ্টীয়া সকলৰ দেশলৈ উভটি
গ’ল। কিন্তু পলেষ্টীয়া সকল যিজ্ৰিয়েললৈ গ’ল।

**৩০** তৃতীয় দিনা দায়ুদ আৰু তেওঁৰ লোকসকল চিক্লগ আহি পালে;
তাতে তেওঁলোকে দেখিলে যে, অমালেকীয়াসকলে আহি চিক্লগ আৰু
নেগেভত উপদ্ৰৱ কৰিছে, আৰু চিক্লগত সোমাই আক্ৰমণ কৰি, জুইৰে

পুৰিছে; ২ আৰু তাৰ ভিতৰত থকা তিৰোতা আদি সৰু বৰ সকলোকে
বন্দী কৰি লৈ গৈছে। সিহঁতে কাকো বধ নকৰিলে, কিন্তু সকলোকে
লগত লৈ নিজৰ বাটেৰে তেওঁলোক গ’ল। ৩ যেতিয়া দায়ুদ আৰু
তেওঁৰ লোকসকল সেই নগৰলৈ আহিল, তেতিয়া নগৰখন জুইৰে পুৰি
পেলোৱা হৈছে আৰু তাত থকা মহিলা, সন্তান আৰু জীয়ৰীবোৰক বন্দী
কৰি লৈ গৈছে। ৪ তেতিয়া দায়ুদ আৰু তেওঁৰ লগৰ লোকসকলে বৰ
মাতেৰে এনেদৰে কান্দিলে যে, শেষত কান্দিবলৈকো তেওঁলোকৰ
শক্তি নোহোৱা হ’ল। ৫ তেওঁলোকে দায়ূদৰ দুই ভাৰ্যা, যিজ্ৰিয়েলীয়া
অহীনোৱম আৰু কৰ্মিলীয়া মৃত নাবলৰ তিৰোতা অবিগলকো বন্দী
কৰি নিছিল। ৬ তেতিয়া দায়ুদ মহাসঙ্কটত পৰিল; কিয়নো প্ৰতিজনৰ
লোকৰ মন নিজৰ নিজৰ পুতেক-জীয়েকসকলৰ কাৰণে বেজাৰত
আছিল, সেয়ে লোকসকলে দায়ূদক শিল দলিয়াই মাৰিবৰ বাবে
আলোচনা কৰিবলৈ ধৰিলে। কিন্তু দায়ূদে তেওঁৰ ঈশ্বৰ যিহোৱাত
নিজক সবল কৰিলে। ৭ পাছত দায়ূদে অহীমেলকৰ পুত্ৰ অবিয়াথৰ
পুৰোহিতক ক’লে, “এতিয়া অনুগ্ৰহ কৰি এতিয়া মোৰ ওচৰলৈ এফোদ
বস্ত্ৰখন লৈ আহা।” তাতে অবিয়াথৰে দায়ূদৰ ওচৰলৈ এফোদ বস্ত্ৰখন
লৈ আহিলে। ৮ তেতিয়া যিহোৱাৰ পৰা নিৰ্দেশনা পাবৰ বাবে দায়ূদে
প্ৰাৰ্থনা কৰি সুধিলে, “মই যদি তেওঁলোকক ধৰিবৰ বাবে খেদি যাওঁ,
তেনেহলে তেওঁলোকক লগ পাম নে? তাতে যিহোৱাই তেওঁক ক’লে,
“তেওঁলোকৰ পাছে পাছে খেদি যোৱা, তাতে অৱশ্যে তেওঁলোকক
লগ পাবা, আৰু নিশ্চয়ে তেওঁলোকৰ পৰা সকলোকে উদ্ধাৰো কৰিব
পাৰিবা।” ৯ তেতিয়া দায়ুদ আৰু তেওঁৰ লগত ছশ লোক ওলাই গ’ল,
তেওঁলোকে গৈ বিচোৰ জুৰি পালে; তাতে তেওঁলোকৰ কিছুমান লোক
পাছ পৰি গ’ল। ১০ কিন্তু দায়ুদ আৰু তেওঁৰ সঙ্গী চাৰি শ লোকে
শত্ৰুবোৰৰ পাছত খেদি গ’ল; তাতে পাছ পৰি যোৱা দুশ লোক থাকি
গ’ল, তেওঁলোক অতি ক্লান্ত হোৱা বাবে বিচোৰ জুৰি পাৰ হ’ব পৰা
নাছিল। ১১ তাতে তেওঁলোকে পথাৰত এজন মিচৰীয়া লোকক বিচাৰি
পালে আৰু লোকজনক দায়ূদৰ ওচৰলৈ লৈ আহিল। তেওঁলোকে
লোকজনক খাবলৈ খোৱা বস্তু আৰু পানী দিলে, তাতে লোকজনে

সেইবোৰ খালে। ১২ বিশেষকৈ তেওঁলোকে তেওঁক এটা ডিমৰুৰ
পিঠা আৰু দুথোপা শুকান দ্ৰাক্ষাগুটি খাবলৈ দিলে, সেইবোৰ খোৱাৰ
পাছত তেওঁ পুনৰ শক্তি পালে; কিয়নো তেওঁ তিনি দিন-ৰাতি একো
খোৱা নাছিল। ১৩ পাছত দায়ূদে তাক সুধিলে, "তই কাৰ মানুহ?
আৰু ক'ৰ পৰা আহিলি?" সি ক'লে, "মই অমালেকীয়াৰ এজন বন্দী
মিচৰীয়া ডেকা মানুহ; আজি তিনি দিন হ'ল, মই নৰিয়াত পৰা বাবে
মোৰ গৰাকীয়ে মোক এৰি গ'ল। ১৪ আমি কৰেথীয়াসকলৰ নেগেভ
অঞ্চলত উপদ্ৰৱ চলাইছলোঁ; যিহূদাৰ অধিকাৰত থকা আৰু কালেবৰ
অধিকাৰত নেভেগ অঞ্চলত আক্ৰমণ কৰিছিলোঁ। আমি চিক্লগ জ্বলাই
দিছিলোঁ।" ১৫ পাছত দায়ূদে তাক সুধিলে, "তই সেই দলৰ ওচৰলৈ
মোক নমাই লৈ যাব পাৰিবি নে?" তাতে সি ক'লে, "আপুনি মোক
বধ নকৰোঁ বুলি আৰু মোৰ গৰাকীৰ হাততো শোধাই নিদিওঁ বুলি
যদি ঈশ্বৰৰ নামেৰে শপত খাই, তেন্তে মই সেই দলৰ ওচৰলৈ
আপোনাক নমাই লৈ যাম।" ১৬ পাছত সেই মিচৰীয়াজনে দায়ূদক
নমাই লৈ গ'ল; সেই সময়ত তেওঁলোকে গোটেই দেশত উৎসৱ
পাতি ভোজন পান কৰি আছিল। ১৭ তেতিয়া দায়ূদে তেওঁলোকক
আক্ৰমণ কৰিলে; সন্ধিয়াৰ পৰা পাছদিনালৈকে তেওঁলোকৰ লগত
যুদ্ধ কৰি তেওঁলোকক হত্যা কৰিলে। তাত চাৰি শ লোক উটত উঠি
পলাই গ'ল, তেওঁলোকৰ বাহিৰে সকলো লোক নিহত হ'ল। ১৮
অমালেকীয়াসকলে যিবোৰ লৈ গৈছিল, সেই সকলো দায়ূদে উভতাই
পালে আৰু নিজৰ দুজনী ভাৰ্যাকো তেওঁ উভতাই পালে। ১৯ তেওঁ
সৰু বা ডাঙৰ, একোৰেই নেহেৰুৱালে, পুতেক-জীয়েক আদি কৰি
লুটদ্ৰব্যৰ সকলোখিনি উভতাই পালে। তেওঁলোকে যিবোৰ লুট কৰি
নিছিল, সেই সকলোখিনিয়ে দায়ূদে উভতাই আনিলে। ২০ আৰু দায়ূদে
সিহঁতৰ সকলো গৰু আৰু মেৰ-ছাগৰ জাকবোৰ নিজৰ কাৰণে ল'লে,
আৰু লোকসকলে সেই পশুবোৰ উদ্ধাৰ কৰি অনা আন পশুৰ জাকৰ
আগে আগে খেদি নি ক'লে, "এইবোৰ দায়ূদে লুট কৰি অনা বস্তু।" ২১
পাছত তেওঁলোক ক্লান্ত হৈ পৰা বাবে দায়ূদৰ লগত যাব নোৱৰা যি
দুশ লোকক তেওঁলোকে বিচোৰ জুৰিৰ পাৰত এৰি থৈ গৈছিল, সেই

লোকসকলৰ ওচৰ আহি পালে। তাতে সেই লোকসকলে দায়ুদ আৰু
লগতে তেওঁৰ লগত অহা আটাই লোকক আগবঢ়াই নিবলৈ ওলাল;
তেতিয়া দায়ূদে তেওঁলোকক মঙ্গলবাদ কৰিলে। ২২ কিন্তু দায়ূদৰ
লগত যোৱা লোকসকলৰ মাজৰ দুৰ্জন আৰু অধম প্ৰকৃতিৰ কিছুমানে
লোকে ক'লে, "সিহঁত আমাৰ লগত যোৱা নাই; গতিকে উভতাই অনা
লুটদ্ৰব্যৰ একোকে সিহঁতক নিদিওঁ; কেৱল আমি সিহঁতৰ প্ৰতিজনক
নিজ নিজ তিৰোতা আৰু ল'ৰা-ছোৱালীহে দিম, সিহঁত ইয়াকে লৈ
আতৰি যাওক।" ২৩ তেতিয়া দায়ূদে ক'লে, "হে ভাইসকল, এনে
ধৰণৰ কাৰ্য কৰা উচিত নহয়। যিহোৱাই আমাক যি দিলে, সেয়া এবাৰ
ভাবি চোৱা। তেওঁ আমাৰ বিৰুদ্ধে অহা সৈন্যসকল আমাৰ হাতত
শোধাই দিলে। ২৪ কোনে নো এই বিষয়ে তোমালোকৰ কথা শুনিব?
কিয়নো যুদ্ধলৈ যোৱা লোকে যেনে ভাগ পাব, বস্তুৰ ওচৰত থকা
লোকেও তেনে ভাগ পাব; দুয়ো সমান ভাগ পাব।" ২৫ সেইদিনৰে
পৰা এই কথা ইস্ৰায়েলৰ কাৰণে বিধি আৰু শাসন-প্ৰণালী হ'ল; এয়ে
আজিলৈকে চলি আছে। ২৬ পাছত দায়ুদ যেতিয়া চিক্লগলৈ আহিল,
তেতিয়া তেওঁ নিজ বন্ধু যিহূদাৰ বৃদ্ধ লোকসকলৰ ওচৰলৈ গ'ল।
তাতে তেওঁ লুটি অনা বস্তুৰ কিছু অংশ তেওঁলোকলৈ পঠিয়াই দি
ক'লে, "চোৱা, যিহোৱাৰ শত্ৰুবোৰৰ পৰা লুটি অনা বস্তুৰ মাজৰ পৰা
এয়ে তোমালোকৰ কাৰণে পঠোৱা উপহাৰ।" ২৭ বৈৎএল, দক্ষিণ
অঞ্চলৰ ৰামোৎ, যত্তীৰ, ২৮ অৰোয়েৰ, চিফমোৎ, ইষ্টমোৱা, ২৯
ৰাখল, যিৰহমেলীয়া, কেনীয়াসকলৰ নগৰবোৰ, ৩০ হৰ্মা, কোৰ-
আচন, অথাক, ৩১ আৰু হিব্ৰোণ আদি যি যি ঠাইত দায়ুদ আৰু তেওঁৰ
লোকসকল থকিছিল, সেই সকলো ঠাইৰ যুদ্ধাৰুসকলৰ ওচৰলৈ তেওঁ
এইবোৰ পঠিয়াই দিলে।

**৩১** পাছত পলেষ্টীয়াসকলে ইস্ৰায়েলৰ বিৰুদ্ধে যুদ্ধ কৰিলে, তাতে
ইস্ৰায়েল লোকসকল ফিলিষ্টীয়া সকলৰ সন্মুখৰ পৰা পলাল আৰু
গিলবোৱা পৰ্বতত বহু লোক মৰিল। ২ পলেষ্টীয়াসকলে চৌল আৰু
তেওঁৰ পুত্ৰসকলৰ নিচেই ওচৰলৈ খেদি গ'ল। তাতে ফিলিষ্টীয়া সকলে
তেওঁৰ পুত্ৰ যোনাথন, অবীনাদব, আৰু মল্কীচুৱাক বধ কৰিলে। ৩

চৌলৰ বিৰুদ্ধে ঘোৰ যুদ্ধ হ'ল, আৰু ধনুৰ্দ্ধৰসকলে তেওঁক আগুৰি
ধৰিলে। তাতে তেওঁ ধনুৰ্দ্ধৰ সকলৰ আগত অতিশয় ত্ৰাসযুক্ত হ'ল। ৪
তেতিয়া চৌলে নিজৰ অস্ত্ৰবাহকক ক'লে, "তোৰ তৰোৱাল ফাকৰ
পৰা উলিয়াই ল' আৰু তাৰে মোক সৰকি যোৱাকৈ খোচ; নহলে
অচুন্নৎ সকলে আহি সৰকি যোৱাকৈ মোক খুচিব, আৰু মোক অপমান
কৰিব।" কিন্তু তেওঁৰ অস্ত্ৰবাহকে অতিশয় ভয় পোৱাৰ কাৰণে মান্তি
নহ'ল; এই কাৰণে চৌলে নিজৰ তৰোৱাল উলিয়াই ল'লে আৰু তাৰে
ওপৰত তেওঁ পৰিল। ৫ তাতে তেওঁৰ অস্ত্ৰবাহকে যেতিয়া দেখিলে
যে, চৌল মৰিল; তেতিয়া তেৱোঁ একেদৰে নিজৰ তৰোৱালত পৰিল
আৰু তেওঁৰে সৈতে তেৱোঁ মৰিল। ৬ এইদৰে একেদিনাই চৌল,
তেওঁৰ অস্ত্ৰবাহক আৰু তেওঁৰ তিনিজন পুত্ৰ একেলগে মৰিল। ৭ পাছত
যেতিয়া উপত্যকাত থকা আৰু যৰ্দ্দনৰ সিটো পাৰত থকা লোকসকলে
দেখিলে যে, ইস্ৰায়েলী লোকসকল পলাল আৰু চৌলৰ লগতে তেওঁৰ
পুত্ৰ সকল মৰিল; তেতিয়া তেওঁলোকো নগৰবোৰ এৰি পলাই গ'ল।
তাতে পলেষ্টীয়াসকলে আহি সেই ঠাইবোৰত বাস কৰিব ধৰিলে। ৮
পাছদিনা যেতিয়া পলেষ্টীয়াসকলে মৃত লোকসকলৰ পোচাকবোৰ
খুলি নিবলৈ আহিল, তেতিয়া তেওঁলোকে দেখিলে যে গিলবোৱা
পৰ্বতত চৌল আৰু তেওঁৰ তিনি জন পুত্ৰ পৰি আছে। ৯ পাছত
তেওঁলোকে তেওঁৰ মুৰ কাটিলে আৰু তেওঁৰ কবচ খুলি ল'লে। তাৰ
পাছত পলেষ্টীয়াসকলৰ ওচৰলৈ খবৰ পঠিয়াই দিলে আৰু তেওঁলোকৰ
দেৱতাৰ মূৰ্তি থকা মন্দিৰবোৰলৈও এই খবৰ পঠিয়ালে। ১০ সিহঁতে
তেওঁৰ সাজ অষ্টাৰেৎ দেবীৰ মন্দিৰত ৰাখিলে, আৰু তেওঁৰ শৰীৰটো
বৈৎচানৰ গড়ত আৰি হ'ল। ১১ পলেষ্টীয়াসকলে চৌললৈ কৰা এই
কৰ্মৰ বাতৰি যেতিয়া যাবেচ-গিলিয়দ নিবাসী সকলে শুনিলে, ১২
তেতিয়া তেওঁলোকৰ যুজাৰু লোকসকল উঠি আহিল আৰু গোটেই
ৰাতি গৈ চৌল আৰু তেওঁৰ পুত্ৰসকলৰ শৱবোৰ বৈৎচানৰ গড়ৰ পৰা
নমাই যাবেচলৈ লৈ গ'ল। পাছত তেওঁলোকে তাতে সেইবোৰ পুৰিলে।
১৩ তেওঁলোকৰ অস্থিবোৰ লৈ যাবেচত থকা ঝাওঁ গছজোপাৰ তলত
পুতি থলে, আৰু সাত দিন লঘোন দিলে।

# ২ সামুয়েল

**১** চৌলৰ মৃত্যুৰ পাছত, দায়ূদে অমালেকীয়া সকলক বধ কৰি ঘূৰি
আহিল আৰু চিক্লগত দুদিন থাকিল। ২ পাছত তৃতীয় দিনত, চৌলৰ
সেনাবাহিনীৰ ছাউনিৰ পৰা ফলা কাপোৰেৰে সৈতে এজন মানুহ
আহিল; তেওঁৰ মুৰত মাটি লাগি আছিল। তেওঁ দায়ূদৰ ওচৰলৈ আহি
শিৰনত হৈ প্ৰণাম কৰিলে। ৩ তেতিয়া দায়ূদে তেওঁক সুধিলে, “তুমি
ক'ৰ পৰা আহিছা?” তেওঁ উত্তৰ দি ক'লে, “মই ইস্ৰায়েলৰ সেনা
ছাউনিৰ পৰা পলাই আহিছোঁ।” ৪ দায়ূদে তেওঁক সুধিলে, “তাত
কি হ'ল, সেই বিষয়ে মোক কোৱাচোন।” তেওঁ ক'লে, “লোকসকল
যুদ্ধৰ পৰা পলাল, অনেক পতিত হ'ল। লোকসকলৰ মাজত অনেক
লোক মৰিল। চৌল আৰু তেওঁৰ পুত্ৰ যোনাথনৰো মৃত্যু হ'ল।” ৫
তেতিয়া দায়ূদে সেই সম্বাদ দিয়া ডেকা লোক জনক সুধিলে, “চৌল
আৰু তেওঁৰ পুত্ৰ যোনাথনৰ যে মৃত্যু হ'ল, সেই বিষয়ে তুমি কেনেকৈ
জানিলা?” ৬ তেতিয়া সেই ডেকা লোক জনে ক'লে, “ঘটনাক্ৰমে মই
গিলবোৱা পৰ্ব্বতত আছিলোঁ আৰু তাতে চৌলে বৰছাৰ ওপৰত ভৰ দি
আছিল আৰু ৰথ ও অশ্বাৰোহীসকলে তেওঁৰ পাছে পাছে বৰকৈ খেদি
খেদি প্ৰায় তেওঁৰ ওচৰ চাপি আহিছিল। ৭ তেতিয়া তেওঁ ঘূৰি মোক
দেখি মাতিলে। তেতিয়া মই উত্তৰ দি ক'লো, “মই ইয়াত আছোঁ৷” ৮
তেওঁ মোক সুধিলে, “তুমি কোন?” মই তেওঁক ক'লো, “মই এজন
অমালেকীয়া লোক।” ৯ তেতিয়া তেওঁ মোক ক'লে, “মই বিনয় কৰোঁ,
তুমি মোৰ ওচৰত থিয় হৈ মোক বধ কৰা কাৰণ মোক শিৰামূৰিয়ে
ধৰিছে, যদিও মোত এতিয়াও প্ৰাণ আছে।” ১০ তেতিয়া মই গৈ তেওঁৰ
ওচৰত থিয় হৈ তেওঁক বধ কৰিলোঁ; কিয়নো তেওঁ পৰাজিত হোৱাৰ
পাছত যে পুনৰ তেওঁ আৰু জীয়াই নাথাকিব, সেই বিষয়ে মই নিশ্চয়ে
জানিছিলোঁ৷ এতিয়া মই তেওঁৰ মূৰৰ কিৰীটি আৰু বাহুৰ বাজু লৈ, এই
ঠাইত মোৰ প্ৰভুৰ ওচৰলৈ লৈ আহিছোঁ।” ১১ তেতিয়া দায়ূদে নিজ
কাপোৰ ধৰি ফালিলে আৰু তেওঁৰ লগৰ আটাই লোকসকলেও সেই
দৰে কৰিলে। ১২ চৌল, তেওঁৰ পুত্ৰ যোনাথন আৰু যিহোৱাৰ প্ৰজা
ইস্ৰায়েল বংশ তৰোৱালত পতিত হোৱাৰ বাবে তেওঁলোকে শোক

কৰি কৰি কান্দিলে আৰু সন্ধ্যালৈকে লঘোনে থাকিল। ১৩ পাছত
দায়ূদে সেই বাতৰি অনা ডেকা মানুহজনক ক'লে, “তুমি ক'ৰ মানুহ?”
তেওঁ উত্তৰ দি ক'লে, “মই এজন প্ৰবাসী অমালেকীয়া মানুহ।” ১৪
দায়ূদে তেওঁক ক'লে, “তুমি যিহোৱাৰ অভিষিক্তজনক বধ কৰিবৰ
অৰ্থে নিজ হাত মেলিবলৈ ভয় নকৰিলা, ই কেনে কথা?” ১৫ দায়ূদে
ডেকাসকলৰ মাজৰ এজনক মাতি এই আজ্ঞা দি ক'লে, “তুমি ওচৰলৈ
গৈ তেওঁক বধ কৰা।” গতিকে সেই লোকজনে গৈ তেওঁক প্ৰহাৰ কৰি
আঘাত কৰিলে৷ তাতে সেই অমালেকীয়াজনৰ মৃত্যু হ'ল। ১৬ তেতিয়া
দায়ূদে সেই মৃত অমালেকীয়াজনক ক'লে, “তোমাৰ ৰক্তপাতৰ দোষ
তোমাৰ নিজ মূৰতেই থাকক; কিয়নো, ‘মেয়েই যিহোৱাৰ অভিষিক্ত
জনক বধ কৰিলোঁ’ এইবুলি তোমাৰ নিজ মুখেৰেই নিজৰ বিৰুদ্ধে
সাক্ষ্য দিলা।” ১৭ তেতিয়া দায়ূদে চৌল আৰু তেওঁৰ পুত্ৰ যোনাথন,
এই মৃতকেইজনৰ বিষয়ে বিলাপেৰে গীত গালে। ১৮ তেওঁ যিহূদাৰ
সন্তান সকলক এই ধনুগীত শিকাবলৈ দিলে; চোৱা, যি গীত যাচেৰ
পুস্তকখনিত লিখা আছে। ১৯ হে ইস্ৰায়েল, তোমাৰ উচ্চস্থানবোৰত
ৰত্ন দুটি বধ কৰা হ'ল! হায় হায়, বীৰসকল কেনেকৈ পতিত হ'ল!
২০ গাত'ত এই বিষয় প্ৰকাশ নকৰিবা, অস্কিলোনৰ বাটত এই বিষয়
প্ৰচাৰ নকৰিবা; কৰিলে পলেষ্টীয়াসকলৰ জীয়ৰীসকলে আনন্দ কৰিব,
অচুন্নৎসকলৰ জীয়ৰীসকলে উল্লাস কৰিব। ২১ হে গিলবোৱা পৰ্ব্বত,
তোমাৰ ওপৰত নিয়ৰ বা বৰষুণ নহওক, বা উত্তোলনীয় নৈবেদ্যৰ
পথাৰ নহওঁক, কিয়নো সেই ঠাইত বীৰসকলৰ ঢাল পেলোৱা হ'ল।
তেলেৰে অভিষিক্ত নোহোৱা চৌলৰ ঢাল পেলোৱা হ'ল৷ ২২ হত হোৱা
লোকসকলৰ তেজ আৰু বীৰসকলৰ দেহৰ পৰা যোনাথনৰ ধনু বিমুখ
নহৈছিল, চৌলৰ তৰোৱালো শুদাই ঘূৰি নাহিছিল। ২৩ চৌল আৰু
যোনাথন, জীৱন কালত প্ৰিয় আৰু সন্তোষজনক আছিল, আৰু মৰণৰ
কালতো তেওঁলোক পৃথক নহ'ল; তেওঁলোক ঈগল পক্ষীতকৈয়ো বেগী
আছিল, তেওঁলোক সিংহতকৈয়ো বলৱান আছিল। ২৪ হে ইস্ৰায়েলৰ
জীয়ৰীসকল, চৌলৰ বাবে ক্ৰন্দন কৰা, তেওঁ তোমালোকক ৰঙা
বৰণীয়া বস্ত্ৰ পিন্ধাই ভূষিত কৰিছিল, তেওঁ তোমালোকৰ বস্ত্ৰৰ ওপৰত

সোণৰ অলঙ্কাৰ পিন্ধাইছিল। ২৫ হায় হায়, যুদ্ধৰ মাজত বীৰসকল
কেনেকৈ পতিত হ'ল! তোমাৰ উচ্চ স্থানবোৰত যোনাথন হত হ'ল৷ ২৬
হে মোৰ ভাই যোনাথন, তোমাৰ বাবে মই দুখিত হৈছোঁ৷ তুমি মোলৈ
অতি মৰমীয়াল আছিলা৷ নাৰীসকলৰ প্ৰেমতকৈয়ো তোমাৰ প্ৰেম মোৰ
পক্ষে চমৎকাৰ আছিল। ২৭ হায় হায়, বীৰসকল কেনেকৈ পতিত হ'ল
আৰু যুদ্ধৰ অস্ত্ৰবোৰ যুদ্ধক্ষেত্ৰত নষ্ট হ'ল!"

২ তাৰ পাছত দায়ূদে যিহোৱাক সুধিলে আৰু ক'লে, "মই যিহূদাৰ
কোনো এখন নগৰলৈ উঠি যাম নে?" তাতে যিহোৱাই তেওঁক ক'লে,
"উঠি যোৱা।" দায়ূদে সুধিলে, "মই কোন খন নগৰলৈ যাব লাগিব?"
যিহোৱাই উত্তৰ দি ক'লে, "হিব্ৰোণলৈ।" ২ এই হেতুকে দায়ূদে তেওঁৰ
নিজ দুজনী ভাৰ্য্যা, যিজ্ৰীয়েলৰ অহীনোৱম আৰু কৰ্মিলীয়া মৃত নাবলৰ
তিৰোতা অবীগলক লগত লৈ সেই ঠাইলৈ গ'ল। ৩ দায়ূদে তেওঁৰ
লগত থকা লোকসকলক লগত ল'লে আৰু তেওঁলোক প্ৰতিজনে
নিজ নিজ পৰিয়ালৰ সৈতে হিব্ৰোণৰ সেই নগৰবোৰত বাস কৰিবলৈ
ধৰিলে৷ ৪ তেতিয়া যিহূদাৰ পৰা লোকসকল আহিল আৰু দায়ূদক
যিহূদা বংশৰ ওপৰত ৰজা অভিষেক কৰিলে। তেওঁলোকে দায়ূদক
ক'লে, "যাবেচ-গিলিয়দৰ লোকসকলে চৌলক মৈদাম দিলে৷" ৫
তেতিয়া দায়ূদে যাবেচ-গিলিয়দৰ লোকসকলৰ ওচৰলৈ দূত পঠাই
তেওঁলোকক এইবুলি কোৱালে, "তোমালোকে নিজ প্ৰভু চৌলক
মৈদাম দি, আনুগত্য দেখুৱাই যি দয়া ব্যৱহাৰ কৰিলা, তাৰ বাবে
তোমালোক যিহোৱাৰ আশীৰ্ব্বাদ-প্ৰাপ্ত থ'লো। ৬ এতিয়া যিহোৱাই
তোমালোকলৈ আনুগত্য অংগীকাৰ আৰু বিশ্বস্ততাৰে ব্যৱহাৰ কৰক৷
আৰু তোমালোকে সেই কাৰ্য কৰা হেতুকে, ময়ো তোমালোকলৈ সেই
দয়াৰ বাবে অনুগ্ৰহ কৰিম। ৭ এই হেতুকে এতিয়া তোমালোকৰ
হাত সবল হওঁক আৰু সাহিয়াল হোৱা, কিয়নো তোমালোকৰ প্ৰভু
চৌলৰ মৃত্যু হোৱাত, যিহূদা বংশই তেওঁলোকৰ ওপৰত মোকেই ৰজা
অভিষেক কৰিলে।" ৮ ইয়াৰ ভিতৰতে নেৰৰ পুত্ৰ যি অবনেৰ চৌলৰ
সেনাপতি আছিল, তেওঁ চৌলৰ পুত্ৰ ঈচ্‌বোচতক মহনয়িমলৈ লৈ
গ'ল। ৯ তেওঁ ঈচবোচতক গিলিয়দৰ, অচুৰীয়াসকলৰ, যিজ্ৰিয়েলৰ,

ইফ্ৰয়িমৰ, বিন্যামীনৰ আৰু গোটেই ইস্রায়েলৰ ওপৰত ৰজা পাতিলে।
১০ চৌলৰ পুত্ৰ ঈচ্‌বোচতৰ চল্লিশ বছৰ বয়সত ইস্ৰায়েলৰ ওপৰত
ৰাজত্ব কৰিবলৈ আৰম্ভ কৰি দুবছৰলৈ ৰাজ্য শাসন কৰিলে৷ কিন্তু
যিহূদাৰ বংশ দায়ূদৰ পাছত চলোঁতা আছিল। ১১ দায়ূদে হিব্ৰোণত
যিহূদা-বংশৰ ওপৰত সাত বছৰ ছমাহ ৰাজত্ব কৰিলে। ১২ এদিন
নেৰৰ পুত্ৰ অবনেৰ আৰু চৌলৰ পুত্ৰ ঈচ্‌বোচতৰ দাসবোৰে মহনয়িমৰ
পৰা গিবিয়োনলৈ গৈছিল৷ ১৩ এনেতে চৰূয়াৰ পুত্ৰ যোৱাব আৰু দায়ূদৰ
দাসবোৰ ওলাই গিবিয়োনৰ পুখুৰীৰ ওচৰত তেওঁলোকৰ সন্মুখত
উপস্থিত হ'ল৷ এদল পুখুৰীৰ ইপাৰে আন দল পুখুৰীৰ সিপাৰে বহিল।
১৪ তেতিয়া অবনেৰে যোৱাবক ক'লে, "বিনয় কৰোঁ, ডেকাসকলে
উঠি আমাৰ আগত যুদ্ধ-ক্ৰীড়া কৰক।" তেতিয়া যোৱাবে ক'লে,
"তেওঁলোক উঠক।" ১৫ তেতিয়া সেই ডেকা লোকসকলে সংখ্যা
অনুসাৰে, চৌলৰ পুত্ৰ ঈচ্‌বোচতৰ আৰু বিন্যামীনৰ পক্ষে বাৰজন আৰু
দায়ূদৰ দাসবোৰৰ বাৰজন, উঠি একে লগে গোট খালে। ১৬ সিহঁত
প্ৰতিজনে নিজৰ অহিতে যুদ্ধ কৰাজনৰ মূৰত ধৰি কাষত তৰোৱালেৰে
খোচাত, সকলো একেলগে মৰা পৰিল; এই হেতুকে সেই ঠাই "হিল্কৎ-
হচুৰীম" বা "তৰোৱালবোৰৰ ক্ষেত্ৰ" নামেৰে প্ৰখ্যাত হ'ল; সেয়ে
গিবিয়োনত আছে। ১৭ পাছত সেইদিনা ঘোৰ যুদ্ধ হোৱাত, অবনেৰ
আৰু ইস্ৰায়েল লোকসকল দায়ূদৰ দাসবোৰৰ আগত পৰাজিত হ'ল।
১৮ সেই ঠাইত যোৱাব, অবীচয় আৰু অচাহেল নামেৰে চৰূয়াৰ এই
তিনিজন পুত্ৰ আছিল৷ অচাহেল বনৰীয়া হৰিণৰ নিচিনা বেগী আছিল।
১৯ পাছত অচাহেলে সোঁ কি বাওঁফালে নুঘূৰি অবনেৰৰ পাছে পাছে
খেদি গ'ল। ২০ তেতিয়া অবনেৰে পিছলৈ ঘূৰি চাই সুধিলে, "তুমি
অচাহেল হোৱানে?" তেওঁ কলে, "মই হওঁ।" ২১ তাতে অবনেৰে
তেওঁক ক'লে, "তুমি সোঁহাতে বা বাওঁহাতে ঘূৰি, সৌ ডেকাসকলৰ
কোনো এজনক ধৰি তেওঁ পিন্ধা গাৰ কৰচ লোৱাগৈ।" কিন্তু অচাহেলে
তেওঁৰ পাছত খেদি যোৱাৰ পৰা ঘূৰিবলৈ মান্তি নহ'ল। ২২ গতিকে
অবনেৰে অচাহেলক পুনৰায় ক'লে, "মোৰ পাছৰ পৰা ঘূৰা; মই কিয়
তোমাক আঘাত কৰি মাটিত পেলাম? আৰু তাকে কৰিলে তোমাৰ

ককায়েৰ যোৱাবৰ আগত মই কিদৰে মুখ দেখুৱাম?” ২৩ তথাপি
অচাহেলে ঘূৰিবলৈ মান্তি নহ’ল; এইকাৰণে অবনেৰে বৰছাৰ কুৰাৰে
তেওঁৰ পেটত এনেকৈ খুচিলে যে, কুৰাডাল পিঠিয়েদি বাহিৰ ওলাল৷
তেতিয়া তেওঁ সেই ঠাইতে পৰি তেতিয়াই মৰিল৷ যি ঠাইত অচাহেল
পৰি মৃত্যু হৈছিল, সেই ঠাইত যিমান লোক আহিল, সেই সকলো
তাতেই থিয় হৈ ৰ’ল। ২৪ কিন্তু যোৱাব আৰু অবীচয়ে অবনেৰৰ পাছে
পাছে খেদি গ’ল। পাছত বেলি মাৰ যাওঁতে, তেওঁলোকে গিবিয়োন
মৰুপ্ৰান্তৰ বাটৰ ওচৰত থকা গীহৰ সন্মুখৰ অম্মা পৰ্ব্বত পালেগৈ৷ ২৫
পাছত বিন্যামীনৰ সন্তান সকলে অবনেৰৰ পাছত যাবৰ বাবে গোট
খাই এটা পৰ্ব্বতৰ টিঙত থিয় হৈ ৰ’ল। ২৬ তেতিয়া অবনেৰে যোৱাবক
মাতি ক’লে, “তৰোৱালে জানো সদাকাল গ্ৰাস কৰিব পাৰিব? শেষত
ইয়াৰ ফল যে অতি তিক্ত হ’ব, তাক তুমি নাজানানে? এই হেতুকে তুমি
নিজ ভাইসকলৰ পাছে পাছে খেদি অহাৰ পৰা ওভোটাবলৈ, নিজৰ
লোকসকলক কিমান কাললৈ আজ্ঞা নিদিয়াকৈ থাকিবা?” ২৭ তেতিয়া
যোৱাবে ক’লে, “যিহোৱাৰ জীৱনৰ শপত, তুমি কথা নোকোৱা হ’লে,
ৰাতিপুৱাই লোকসকলে নিশ্চয়ে গুচি গ’লহেঁতেন আৰু প্ৰতিজনে নিজ
নিজ ভাইৰ পাছত খেদি নগ’লহেঁতেন!” ২৮ তেতিয়া যোৱাবে শিঙা
বজোৱাত, সকলো মানুহ ৰ’ল আৰু ইস্ৰায়েলৰ পাছত কোনেও খেদি
নগ’ল আৰু যুদ্ধও নকৰিলে। ২৯ তাৰ পাছত অবনেৰ আৰু তেওঁৰ
লোকসকলে অৰাবায়েদি গোটেই ৰাতি যাত্ৰা কৰিলে। তেওঁলোকে
যৰ্দ্দন পাৰ হৈ পাছদিনা ৰাতিপুৱা যাত্ৰা কৰি মহনয়িম গৈ পালে। ৩০
তেতিয়া যোৱাবে অবনেৰৰ পাছত খেদি যোৱাৰ পৰা উভতি আহিল
আৰু আটাই লোকক তেওঁ গোট খুৱালে; কিন্তু দায়ূদৰ ঊন্নৈশজন সৈন্য
আৰু অচাহেলকক নাপালে। ৩১ কিন্তু দায়ূদৰ দাসবোৰে বিন্যামীন
আৰু অবনেৰৰ লোকসকলক এনেকৈ আঘাত কৰিলে যে, তেওঁলোকৰ
তিনিশ ষাঠিজন লোক মৰিল। ৩২ তেতিয়া লোকসকলে অচাহেলক
তুলি কৰিলে যে, বৈৎলেহেমত থকা তেওঁৰ পিতৃৰ মৈদামতে মৈদাম
দিলে৷ যোৱাব আৰু তেওঁৰ লোকসকল ওৰে ৰাতি যাত্ৰা কৰি ৰাতিপুৱা
হিব্ৰোণ পালেগৈ।

৩ চৌলৰ বংশ আৰু দায়ূদৰ বংশৰ মাজত বহুকাল ধৰি যুদ্ধ হ'ল৷
দায়ুদ ক্ৰমে বলৱান হৈ উঠিল, কিন্তু চৌলৰ বংশ হ'লে ক্ৰমে শক্তিহীন
হৈ আহিল। ২ হিব্ৰোণত দায়ূদৰ কেইবাজনো পুত্ৰ জন্মিল। তেওঁৰ
বৰ পুত্ৰ অম্নোন, যিজ্ৰিয়েলীয়া অহীনোৱমৰ সন্তান; ৩ তেওঁৰ দ্বিতীয়
পুত্ৰ কিলিয়াব, কৰ্মিলীয়া মৃত নাবলৰ ভাৰ্য্যা অবীগলৰ সন্তান৷ তৃতীয়
অবচালোম, গচুৰৰ তল্ময় ৰজাৰ জীয়েক মাখাৰ সন্তান৷ ৪ চতুৰ্থ পুত্ৰ
অদোনীয়া, হগ্গীতৰ সন্তান৷ পঞ্চম পুত্ৰ চফটিয়া, অবীটলৰ সন্তান,
৫ আৰু ষষ্ঠ পুত্ৰ যিত্ৰিয়ম, দায়ূদৰ তিৰোতা ইগ্লাৰ সন্তান। এই
সকলো হিব্ৰোণত দায়ূদৰ ঔৰসত জন্মিল। ৬ যি সময়ত দায়ূদৰ বংশ
আৰু চৌলৰ বংশৰ মাজত যুদ্ধ চলি আছিল, সেই সময়ত অবনেৰে
চৌলৰ বংশৰ পক্ষে নিজকে পৰাক্ৰমী দেখুৱাইছিল। ৭ কিন্তু অয়াৰ
জীয়েক ৰিস্পা নামেৰে চৌলৰ এজনী উপপত্নী আছিল৷ তাইৰ বিষয়ে
ঈচবোচতে অবনেৰক ক'লে, “তুমি মোৰ পিতৃৰ উপপত্নীত কিয় গমন
কৰিলা?” ৮ ঈচ্‌বোচতৰ এই কথাত অবনেৰে অতিশয় ক্ৰুদ্ধ হৈ ক'লে,
“মই জানো যিহূদাৰ ফলীয়া কুকুৰৰ মূৰ? আজিলৈকে মই তোমাৰ
পিতৃ চৌলৰ বংশলৈ আৰু তেওঁৰ ভাই-বন্ধুসকললৈ দয়া কৰি আছোঁ
আৰু তোমাক দায়ূদৰ হাতত শোধাই দিয়া নাই৷ তথাপি তুমি আজি
সেই তিৰোতাজনীৰ বিষয়ে মোক দোষী কৰিছা। ৯ দায়ূদৰ আগত
যিহোৱাই খোৱা শপতৰ দৰে যদি মই তেওঁলৈ কাৰ্য নকৰোঁ, তেনেহলে
অবনেৰক তাতকৈয়ো অধিক দণ্ড দিয়ক, ১০ চৌলৰ পৰিয়ালৰ পৰা
ৰাজ্য হস্তান্তৰ কৰিব আৰু দানৰ পৰা বেৰ-চেবা লৈ, সমগ্ৰ ইস্ৰায়েল
আৰু যিহূদাৰ ওপৰত সিংহাসন স্থাপন কৰিব।” ১১ তাতে ঈচবোচতে
অবনেৰক পুনৰ কোনো কথা ক'ব নোৱাৰিলে; কাৰণ অবনেৰলৈ তেওঁ
ভয় কৰিলে। ১২ পাছত অবনেৰে দায়ূদৰ ওচৰলৈ তেওঁৰ পক্ষ হৈ
কবলৈ দূতবোৰ পঠিয়াই দি কোৱালে বোলে, “এই দেশ কাৰ? আপুনি
যদি মোৰ লগত এটি চুক্তি কৰে, তেন্তে চাওঁক মই গোটেই ইস্ৰায়েলক
আপোনাৰ ফাললৈ নিবলৈ আপোনাৰ সহায় হম।” ১৩ দায়ূদে ক'লে,
বাৰু, মই তোমাৰ লগত এটি চুক্তি কৰিম, কেৱল এটি বিষয় মই
তোমাৰ পৰা বিচাৰো যে যেতিয়া তুমি মোক দেখা কৰিবলৈ আহিবা,

তেতিয়া প্ৰথমে চৌলৰ জীয়েক মীখলক নানিলে, মোক দেখা নাপাবা।
১৪ তেতিয়া দায়ূদে চৌলৰ পুত্ৰ ঈচ্‌বোচতৰ ওচৰলৈ দূত পঠিয়াই
কোৱালে, বোলে, “যাক মোলৈ বাগ্দান কৰা হ'ল, মোৰ সেই মীখলক
মোক দিয়া, যাৰ বাবে মই পলেষ্টীয়াসকলৰ এশ লিঙ্গাগ্ৰ- চৰ্ম্ম দিলোঁ।”
১৫ তাতে ঈচ্‌বোচতে মানুহ পঠিয়াই লয়িচৰ পুত্ৰ পল্টীয়েল নামেৰে
মীখলৰ স্বামীৰ পৰা তাইক লৈ আহিল। ১৬ তেতিয়া তাইৰ স্বামীয়ে
তাইৰ পাছে পাছে কান্দি কান্দি বহূৰীমলৈকে তাইৰ লগত আহিল।
পাছত অবনেৰে তেওঁক ক'লে, “যোৱা, ঘৰলৈ উভটি যোৱা।” তাতে
তেওঁ উভটি গ'ল। ১৭ পাছত অবনেৰে ইস্ৰায়েলৰ বৃদ্ধ লোকসকলৰ
লগত কথোপকথন কৰি ক'লে, “দায়ূদক তোমালোকৰ ওপৰত ৰজা
পাতিবলৈ তোমালোকে পূৰ্বতে চেষ্টা কৰিছিলা। ১৮ এতিয়া তাকে
কৰাহঁক৷ কিয়নো যিহোৱাই দায়ূদৰ বিষয়ে কৈছিল, বোলে, ‘মই নিজ
দাস দায়ূদৰ হতুৱাই মোৰ প্ৰজা ইস্ৰায়েলক পলেষ্টীয়াসকলৰ হাতৰ
পৰা আৰু তেওঁলোকৰ সকলো শত্ৰুৰ হাতৰ পৰাও উদ্ধাৰ কৰিম’।”
১৯ অবনেৰে বিন্যামীনৰ লোকসকলৰ লগত ব্যক্তিগতভাৱে কথা হ'ল৷
তাৰ পাছত ইস্ৰায়েল বংশ ও বিন্যামীনৰ গোটেই বংশই যি সম্পূৰ্ণ
কৰিবলৈ ইচ্ছা কৰিছিল, সেই বিষয়ে অবনেৰে দায়ূদৰ আগত জনাবৰ
বাবে হিব্ৰোণলৈ গ'ল। ২০ এইদৰে দায়ূদক দেখা কৰিবলৈ অবনেৰে
তেওঁৰ বিশজন লোকক নিজৰ লগত লৈ হিব্ৰোণলৈ আহিল। তাতে
দায়ূদে অবনেৰ আৰু তেওঁৰ লগৰ লোকসকলৰ বাবে ভোজ পাতিলে।
২১ অবনেৰে দায়ূদৰ ওচৰত বাখ্যা কৰি ক'লে, মই উঠি গৈ মোৰ
প্ৰভু মহাৰাজৰ গুৰিলৈ ইস্ৰায়েলৰ সকলোকে গোটাই আনোগৈ, যেন
তেওঁলোকে আপোনাৰে সৈতে এটি চুক্তি কৰিব আৰু আপুনি আপোনাৰ
মনৰ ইচ্ছাৰ দৰে যেন সকলোৰে ওপৰত ৰাজত্ব কৰিব। পাছত দায়ূদে
অবনেৰক বিদাই দিয়াত, তেওঁ শান্তিৰে প্ৰস্থান কৰিলে। ২২ তাৰ
পাছত দায়ূদৰ সৈন্যসকল আৰু যোৱাবে কোনো ঠাইত লুটকৰি উভটি
অহিছিল আৰু তেওঁলোকে লগত বহুত লুট দ্ৰব্য আনিছিল৷ তেতিয়া
অবনেৰ দায়ূদৰ লগত হিব্ৰোণত নাছিল৷ কিয়নো দায়ূদে তেওঁক
বিদায় দিয়াত তেওঁ শান্তিৰে প্ৰস্থান কৰিলে। ২৩ যেতিয়া যোৱাব আৰু

তেওঁৰ লগৰ আটাই সৈন্যদলৰ সৈতে আহিল, লোকসকলে যোৱাবক
ক'লে, “নেৰৰ পুত্ৰ অবনেৰ ৰজাৰ ওচৰলৈ আহিছিল; আৰু ৰজাই
তেওঁক বিদায় দিয়াত তেওঁ শান্তিৰে প্ৰস্থান কৰিলে।” ২৪ তেতিয়া
যোৱাবে ৰজাৰ আগলৈ আহি ক'লে, আপুনি কি কৰিলে? চাওঁক,
অবনেৰে আপোনাৰ ওচৰলৈ আহিছিল! আপুনি তাক বিদায় দি কিয়
শান্তিৰে যাবলৈ দিলে? ২৫ আপুনি নাজানে জানো, যে নেৰৰ পুত্ৰ
অবনেৰকে আপোনাক ভূলাবলৈ আৰু আপোনাৰ পৰিকল্পনাসমূহ
উদ্ঘাতন কৰিবলৈ আৰু আপুনি যি যি কৰি আছে, সেই সকলোৰ
বিষয়ে বুজিবলৈহে তেওঁ আহিছিল। ২৬ যেতিয়া যোৱাবে দায়ূদৰ
ওচৰৰ পৰা বাহিৰ ওলাই আহিল, তেতিয়া তেওঁ অবনেৰৰ পাছত দূত
পঠিয়াই দিলে আৰু তেওঁলোকে গৈ চিৰা নাদৰ ওচৰৰ পৰা অবনেৰক
ওভোটাই আনিলে, কিন্তু দায়ূদে এই কথাৰ বুজ নাপালে। ২৭ যেতিয়া
অবনেৰ হিব্ৰোণলৈ ঘূৰি আহিল, যোৱাবে তেওঁক গুপুতে কথা ক'বৰ
ছলেৰে নগৰৰ দুৱাৰৰ ভিতৰলৈ তেওঁক এফলীয়াকৈ লৈ গৈ, নিজ
ভায়েক অচাহেলৰ ৰক্তপাতৰ কাৰণে, সেই ঠাইতে তেওঁৰ পেটত
এনেকৈ আঘাত কৰিলে, যে তেওঁৰ তাতেই মৃত্যু হ'ল। ২৮ যেতিয়া
দায়ূদে সেই কথা শুনিলে, তেতিয়া তেওঁ ক'লে, “নেৰৰ পুত্ৰ অবনেৰ
ৰক্তপাতৰ বিষয়ে মই আৰু মোৰ ৰাজ্য যিহোৱাৰ দৃষ্টিত সদাকাললৈকে
নিৰ্দ্দোষী। ২৯ সেই ৰক্তপাতৰ দোষ যোৱাবৰ আৰু তাৰ গোটেই পিতৃ-
বংশৰ ওপৰত পৰোক৷ আৰু যোৱাবৰ দেশত প্ৰমেহ ৰোগী, কুষ্ঠী,
লাখুটিত ভৰ দিওঁতা, তৰোৱালৰ দ্বাৰায় পৰা, বা খাবলৈ নোপোৱা,
এনে প্ৰকাৰৰ লোকৰ অভাৱ নহওঁক।” ৩০ এইদৰে যোৱাবে আৰু
তেওঁৰ ভায়েক অবীচয়ে, গিবিয়োনৰ যুদ্ধত নিজৰ ভাই অচাহেলক বধ
কৰাৰ কাৰণে অবনেৰক বধ কৰিলে। ৩১ পাছত দায়ূদে যোৱাব আৰু
তেওঁৰ লগত থকা সকলো লোকক ক'লে, তোমালোকে তোমালোকৰ
কাপোৰ ফালি কঁকালত চট পিন্ধা আৰু শোক কৰি কৰি অবনেৰৰ শৰৰ
আগে আগে চলা। আৰু দায়ুদ ৰজাও মৰা শৰৰ চাঙৰ পাছে পাছে
গ'ল৷ ৩২ পাছত তেওঁলোকে হিব্ৰোণত অবনেৰক মৈদাম দিলে৷ সেই
সময়ত ৰজাই অবনেৰৰ মৈদামৰ ওচৰত বৰ মাতেৰে ক্ৰন্দন কৰিলে

আৰু আন সকলো লোকেও কান্দিলে। ৩৩ ৰজাই অবনেৰৰ বিষয়ে
বিলাপ কৰি গীত গালে, “অবনেৰো অজ্ঞানৰ দৰে মৰিব লাগেনে?
৩৪ তোমাৰ হাত বন্ধা নাছিল৷ তোমাৰ ভৰিতো বেড়ী লগোৱা নাছিল৷
অন্যায় কৰোঁতা লোকৰ আগত পতিত হোৱা জনৰ দৰে তুমি পতিত
থ’লো।” পাছত সকলো লোকে তেওঁৰ কাৰণে পুনৰাই ক্ৰন্দন কৰিলে।
৩৫ পাছত আটাই লোকে বেলি থাকোঁতেই দায়ূদক ভোজন কৰাবলৈ
আহিলত, দায়ূদে এই শপত খালে, “বেলি মাৰ নৌ যাওঁতে মই
যদি পিঠা বা আন কিবা বস্তুৰেই আস্বাদ লওঁ, তেন্তে ঈশ্বৰে মোক
অমুক আৰু তাতোকৈয়ো অধিক দণ্ড দিয়ক।” ৩৬ তাতে সকলো
লোকে তেওঁৰ এই ব্যৱহাৰ দেখি সন্তোষ পালে; আৰু ৰজাই যি যি
কৰিছিল, তাতো সকলো লোকে সন্তোষ পাইছিল। ৩৭ আৰু নেৰৰ
পুত্ৰ অবনেৰক বধ কৰা কথাত ৰজাৰ যে অনুমতি নাই, তাক সকলো
লোকে আৰু সকলো ইস্রায়েলেও সেই দিনা বুজি পালে। ৩৮ পাছে
ৰজাই তেওঁৰ দাসবোৰক ক’লে, আজি যে ইস্ৰায়েলৰ মাজত প্ৰধান
আৰু মহান লোক এজন পতিত হ’ল, তাক জানো তোমালোকে নাজানা
নে? ৩৯ অভিষিক্ত ৰজা হ’লেও আজি মই দূৰ্ব্বল৷ এইকেইজনলোক
আৰু চৰূয়াৰ পুত্ৰসকল মোৰ বাবে অতি পাষবিক৷ যিহোৱাই কুকৰ্ম
কৰাসকলক তেওঁলোকৰ অসৎ ব্যৱহাৰৰ কাৰণে পাব লগীয়া উচিত
প্ৰতিফল দিয়ক।

4 যেতিয়া চৌলৰ পুত্ৰ ঈচ্‌বোচতে অবনেৰ’ৰ মৃত্যু হিব্ৰোণত হোৱা
কথাষাৰ শুনিলে, তেওঁৰ হাত দূৰ্ব্বল হ’ল আৰু আটাই ইস্ৰায়েল চিন্তিত
হ’ল। ২ চৌলৰ পুত্ৰৰ দুজন সৈন্যবৰ্গৰ দলপতি আছিল৷ এজনৰ
নাম বানা আৰু আন জনৰ নাম ৰেখব; তেওঁলোক বিন্যামীনৰ বংশৰ
বেৰোতীয়া ৰিম্মোনৰ পুত্ৰ; কিয়নো বেৰোতা বিন্যামীনৰ আধিপত্যৰ
মাজৰো এজন বুলি গণিত হৈছিল ৩ আৰু বেৰোতীয়াসকল গিত্তয়িমলৈ
পলাই গৈ সেই ঠাইতে আজিলৈকে প্ৰবাস কৰি আছে। ৪ চৌলৰ পুত্ৰ
যোনাথনৰ, দুয়োখন ভৰি খোৰা হোৱা এজন পুত্ৰ আছিল। যিজ্ৰিয়েলৰ
পৰা যেতিয়া চৌল আৰু যোনাথনৰ মৃত্যুৰ সম্বাদ আহিছিল, তেতিয়া
ল’ৰাজনৰ পাঁচ বছৰ বয়স আছিল৷ সেই ল’ৰাজনৰ শুশ্ৰূষাকাৰিণীয়ে

তাক লৈ পলাই গৈছিল৷ কিন্তু শুশ্ৰূষাকাৰিণীয়ে বেগেৰে পলাই যাওঁতে
যোনাথনৰ পুত্ৰ পৰি আঘাত পোৱাত খোৰা হৈছিল। তাৰ নাম
মফিবোচৎ আছিল। ৫ পাছত বেৰোতীয়া ৰিম্মোনৰ সেই দুজন পুত্ৰ
ৰেখব আৰু বানাই দিনৰ টান ৰ'দৰ কালত যাত্ৰা কৰি ঈচ্‌বোচতৰ
ঘৰ পালেগৈ, তেতিয়া দুপৰ বেলাৰ সময়, যেতিয়া তেওঁ জিৰণি লৈ
আছিল। ৬ তাতে ঘেহুঁধান চালি থকা সময়ত, দুৱাৰত ৰখীয়া হৈ থকা
এগৰাকি মহিলাই টোপনি যোৱাত, ৰেখব আৰু বানাই নিৰৱে তাইৰ
কাষেৰে পাৰ হৈ গ'ল৷ ৭ তাতে তেওঁৰ শোৱা কোঠালিত নিজ খাটত শুই
থাকোঁতেই, তেওঁলোকে ভিতৰলৈ সোমাই গৈ আঘাত কৰি তেওঁক বধ
কৰিলে৷ পাছত তেওঁৰ মূৰ কাটি, সেই মূৰ লৈ অৰাবাৰ বাটেদি ওৰে
ৰাতি যাত্ৰা কৰিলে। ৮ তেওঁলোকে ঈচ্‌বোচতৰ মূৰটো হিব্ৰোণত থকা
দায়ূদৰ ওচৰলৈ নি ৰজাক ক'লে, "চাওঁক, আপোনাৰ প্ৰাণ নাশৰ চেষ্টা
কৰা চৌলৰ পুত্ৰ ঈচ্‌বোচতৰ মুৰ এইয়া। যিহোৱাই আজি মোৰ প্ৰভু
মহাৰাজৰ পক্ষে চৌল আৰু তেওঁৰ বংশৰ ওপৰত প্ৰতিকাৰ সাধিলে।"
৯ কিন্তু দায়ূদে বেৰোতীয়া ৰিম্মোনৰ পুতেক ৰেখব আৰু তাৰ ককায়েক
বানাক এই উত্তৰ দি ক'লে, "যিজন সৰ্ব্বশক্তিমান ঈশ্বৰে সকলো
সঙ্কটৰ পৰা মোৰ প্ৰাণ উদ্ধাৰ কৰিলে, সেই যিহোৱাৰ জীৱনৰ শপত,
১০ যেতিয়া কোনো এজন মানুহে বৰ ভাল খবৰ আনিছো বুলি ভাবি
মোক কৈছিল, 'চাওঁক, চৌল মৰিল', তেতিয়া মই তেওঁক ধৰি চিক্লগত
বধ কৰিলোঁ আৰু এইটোৱেই বাতৰি অনাৰ বাবে তেওঁক মই দিয়া
তেওঁৰ পুৰস্কাৰ আছিল। ১১ পাছত, দুষ্টবোৰে এজন নিৰ্দোষীলোকক
তেওঁৰ ঘৰৰ ভিতৰত সোমাই তেওঁ খাটত শুই থাকোতে তেওঁক যদি
বধ কৰে, তেনেহ'লে তোমালোকৰ হাতৰ পৰা তেওঁৰ ৰক্তপাতৰ
প্ৰতিশোধ তাতকৈ অধিক নল'ম নে? আৰু তোমালোকক পৃথিৱীৰ
পৰা উচ্ছন্ন নকৰিম নে?" ১২ তেতিয়া দায়ূদে তেওঁৰ ডেকাসকলক
আজ্ঞা কৰাত, তেওঁলোকক বধ কৰি তেওঁলোকৰ হাত-ভৰি কাটি
পেলালে আৰু হিব্ৰোণৰ পুখুৰীৰ পাৰত তেওঁলোকৰ শৰ আৰি হ'ল৷
কিন্তু তেওঁলোকে ঈচ্‌বোচতৰ মূৰটো লৈ হিব্ৰোণত থকা অবনেৰ'ৰ
মৈদামতে মৈদাম দিলে।

৫ তাৰ পাছত ইস্ৰায়েলৰ সকলো ফৈদে হিব্ৰোণত থকা দায়ূদৰ
ওচৰলৈ আহি ক'লে, "চাওঁক, আমি আপোনাৰ হাড় আৰু মঙহ৷ ২ আৰু
আগেয়ে যেতিয়া চৌল আমাৰ ৰজা আছিল, তেতিয়াও আপুনিয়েই
ইস্ৰায়েলক বাহিৰলৈ আৰু ভিতৰলৈ অনা নিয়া কৰিছিল৷ আৰু যিহোৱাই
আপোনাক কৈছিল, যে, 'তুমিয়েই ৰখীয়া হৈ মোৰ প্ৰজা ইস্ৰায়েলৰ
লোকসকলক চলাবা আৰু ইস্ৰায়েলৰ ওপৰত অধিপতি হ'বা'।" ৩
এইদৰে ইস্ৰায়েলৰ আটাই বৃদ্ধলোক হিব্ৰোণত থকা ৰজাৰ ওচৰলৈ
আহিল আৰু দায়ুদ ৰজাই হিব্ৰোণত যিহোৱাৰ সাক্ষাতে তেওঁলোকৰ
লগত এটি নিয়ম কৰিলে৷ আৰু তেওঁলোকে ইস্ৰায়েলৰ ওপৰত দায়ূদক
ৰজা পাতি অভিষেক কৰিলে। ৪ দায়ূদে ত্ৰিশ বছৰ বয়সত ৰজা
হৈ চল্লিশ বছৰ ৰাজত্ব কৰিলে। ৫ তেওঁ হিব্ৰোণত যিহূদাৰ ওপৰত
সাত বছৰ ছমাহ ৰাজত্ব কৰিলে আৰু যিৰূচালেমত গোটেই ইস্ৰায়েলৰ
আৰু যিহূদাৰ ওপৰত তেত্ৰিশ বছৰ ৰাজত্ব কৰিলে। ৬ তাৰ পাছত
ৰজা আৰু তেওঁৰ লোকসকলে দেশ-নিবাসী যিবুচীয়াসকলৰ বিৰুদ্ধে
যিৰূচালেমলৈ বুলি যাত্ৰা কৰিলে৷ তেওঁলোকে দায়ূদক ক'লে, "তুমি
এই ঠাইত সোমাবলৈ নাপাবা কিয়নো কণাবোৰে আৰু খোৰা- বোৰেই
তোমাক খেদাই দিব; তেওঁলোকে ভাবিছিল, দায়ুদ এই ঠাইত আৰু
সোমাব নোৱাৰিব।" ৭ তথাপিও দায়ূদে চিয়োন দুৰ্গ হাত কৰি ল'লে;
সেয়ে দায়ূদৰ নগৰ। ৮ তেতিয়াই দায়ূদে কৈছিল, "যি কোনোৱে
যিবুচীয়াসকলক আক্ৰমণ কৰিব খোজে, তেওঁ পানীৰ নলাইদি উঠি গৈ
দায়ূদৰ ঘিণলগীয়া সেই 'কণা আৰু খোৰা'বোৰক আঘাত কৰক।"
এই কাৰণে মানুহে কয়, "ই 'কণা আৰু খোৰা'বোৰ ৰাজপ্ৰাসাদৰ
ভিতৰত সোমাব নোৱাৰিব।" ৯ তাৰ পাছত দায়ূদে সেই দুৰ্গত নিবাস
কৰি, তাৰ নাম দায়ূদৰ নগৰ ৰাখিলে৷ আৰু মিল্লোৰ পৰা ভিতৰৰ
চাৰিওফালে গড় নিৰ্ম্মাণ কৰিলে। ১০ পাছত দায়ুদ ক্ৰমে ক্ৰমে বৃদ্ধি
পাই মহান হ'ল; কিয়নো বাহিনীসকলৰ ঈশ্বৰ যিহোৱা তেওঁৰ লগে
লগে আছিল। ১১ তেতিয়া তূৰৰ ৰজা হীৰমে দায়ূদৰ ওচৰলৈ দূত
পঠিয়ালে আৰু এৰচ কাঠ, কাঠমিস্ত্ৰীসকল আৰু ৰাজমিস্ত্ৰীসকলক
পঠিয়াই দিলে৷ তেওঁলোকে দায়ূদৰ কাৰণে এটা গৃহ নিৰ্ম্মাণ কৰিলে।

১২ তাতে দায়ূদে জানিলে যিহোৱাই যে ইস্রায়েলৰ ওপৰত তেওঁক ৰজা
পাতিলে, সেই বাবে নিজৰ প্ৰজা ইস্রায়েলসকলৰ বাবে তেওঁৰ ৰাজ্য
উন্নত কৰিলে। ১৩ দায়ূদে হিব্ৰোণৰ পৰা অহাৰ পাছত, যিৰূচালেমত
আন আন উপপত্নী আৰু পত্নীসমূহক ল'লে, তাতে দায়ূদলৈ আৰু
অধিক পো আৰু জী জন্মিল। ১৪ যিৰূচালেমত তেওঁলৈ যিসকল
সন্তান জন্ম পালে, তেওঁলোকৰ নাম চম্মুৱা, চোবব, নাথন, চলোমন,
১৫ যিভৰ, ইলীচূৱা, নেফগ, যাফীয়া, ১৬ ইলীচামা, ইলিয়াদা আৰু
ইলীফেলট আছিল। ১৭ পাছত যেতিয়া দায়ূদক ইস্রায়েলৰ ওপৰত
ৰজা অভিষেক কৰা সম্বাদ পালে, তেতিয়া আটাই পলেষ্টীয়াসকলে
দায়ূদক বিচাৰিবলৈ উঠি আহিল। দায়ূদে তাকে শুনি দুৰ্গলৈ নামি গ'ল।
১৮ তেতিয়া পলেষ্টীয়াসকলে আহি ৰফায়ীম উপত্যকা জুৰি ল'লে।
১৯ তেতিয়া দায়ূদে যিহোৱাৰ পৰা সহায় বিচাৰিলে৷ তেওঁক সুধিলে,
"মই পলেষ্টীয়াসকলক আক্ৰমণ কৰিম নে? আপুনি তেওঁলোকক মোৰ
হাতত সমৰ্পণ কৰিব নে?" তেতিয়া যিহোৱাই দায়ূদক ক'লে, "আক্ৰমণ
কৰা, কিয়নো মই নিশ্চয়ে ফিলিষ্টীয়াসকলক তোমাৰ হাতত সমৰ্পণ
কৰিম।" ২০ তেতিয়া দায়ূদে বালপৰাচীমলৈ আহি তাতে তেওঁলোকক
পৰাজয় কৰিলে৷ তেওঁ মন্তব্য কৰি ক'লে, "যিহোৱাই মোৰ শত্ৰুবোৰক
মোৰ সন্মুখত বান পানীয়ে সেতু ভঙাৰ দৰে তেওঁলোকক ভাঙিলে।"
এই কাৰণে সেই ঠাইৰ নাম বালপৰাচীম ৰাখা হ'ল। ২১ সেই
ঠাইতে তেওঁলোকৰ মুৰ্ত্তিবোৰ এৰি থৈ গ'ল; তাতে দায়ুদ আৰু তেওঁৰ
লোকসকলে সেইবোৰ লৈ আহিল। ২২ তাৰ পাছত পলেষ্টীয়াসকলে
আকৌ আহি ৰফায়ীম উপত্যকা জুৰি ল'লে। ২৩ তেতিয়া দায়ূদে
যিহোৱাৰ পৰা পুনৰ সহায় বিচাৰিলে আৰু যিহোৱাই তেওঁক ক'লে,
"তুমি তেওঁলোকৰ সন্মুখেৰে আক্ৰমণ নকৰিবা, বৰং তেওঁলোকৰ
পাছফালেদি ঘূৰি গৈ, নুনি গছ কেই জোপাৰ সন্মুখত তেওঁলোকৰ
আগত উপস্থিত হ'বা। ২৪ যেতিয়া সেই নুনি গছ কেইজোপাৰ মাজেৰে
সৈন্য যোৱাৰ নিছিনা শব্দ শুনিবা, তেতিয়া সৈন্য-সামন্তৰে সৈতে
আক্ৰমণ কৰিবা৷ কিয়নো তেতিয়াই যিহোৱাই পলেষ্টীয়াসকলৰ সৈন্য-
সামন্তক আক্ৰমণ কৰিবৰ অৰ্থে তোমাৰ আগতেই গ'ল, গতিকে তুমি

এইদৰেই কৰা।” ২৫ তেতিয়া দায়ূদে যিহোৱাৰ আজ্ঞা অনুসাৰে কাৰ্য
কৰিলে। তেওঁ গেবাৰ পৰা গেজৰলৈকে পলেষ্টীয়াসকলক বধ কৰিলে।

৬ দায়ূদে পুনৰাই ইস্ৰায়েলৰ আটাই মনোনীত লোকক লৈ ত্ৰিশ
হাজাৰজন লোকক গোটালে। ২ তাৰ পাছত দায়ুদ আৰু তেওঁৰ লগত
থকা আটাই লোক উঠি যিহূদাত থকা বালিৰ পৰা, ঈশ্বৰৰ নাম অৰ্থাৎ
কৰূব দুটা মাজত বহা বাহিনীসকলৰ যিহোৱাৰ নামেৰে প্ৰখ্যাত সেই
ঈশ্বৰৰ নিয়ম-চন্দুক আনিবলৈ যাত্ৰা কৰিলে। ৩ পাছত তেওঁলোকে
ঈশ্বৰৰ নিয়ম-চন্দুক এখন নতুন ৰথত তুলি ল’লে৷ তেওঁলোকে এই
নিয়ম-চন্দুক পৰ্ব্বতত থকা অবীনাদবৰ ঘৰৰ পৰা উলিয়াই আনিলে৷
অবীনাদবৰ পুত্ৰ উজ্জা আৰু অহিয়োৱে সেই নতুন ৰথ চলাই আনিলে।
৪ তেওঁলোকে পৰ্ব্বতত থকা অবীনাদবৰ ঘৰৰ পৰা ঈশ্বৰৰ নিয়ম-
চন্দুকে সৈতে ৰথখন উলিয়াই আনিলে৷ অহিয়ো নিয়ম-চন্দুকৰ আগে
আগে গ’ল। ৫ তেতিয়া দায়ুদ আৰু ইস্ৰায়েলৰ আটাই বংশই দেবদাৰু
কাঠেৰে সজা নানা ধৰণৰ বাদ্যযন্ত্ৰ নেবল, খঞ্জৰী, খুটিতাল আৰু
ভোটতাল আদি বজাই যিহোৱাৰ আগত গুণানুকীৰ্তন কৰিলে৷ ৬
যেতিয়া তেওঁলোকে নাখুনৰ মৰণা মৰা ঠাই পালে তাতে গৰুহাল
পিছল খোৱাত, উজ্জাই হাত মেলি যিহোৱাৰ সেই নিয়ম-চন্দুকটি
ধৰিলে৷ ৭ তেতিয়া উজ্জাৰ প্ৰতি যিহোৱাৰ ক্ৰোধ প্ৰজ্বলিত হ’ল৷ তেওঁৰ
ভ্ৰান্তিৰ কাৰণে ঈশ্বৰে সেই ঠাইতে তেওঁক আঘাত কৰিলে৷ তাতে
উজ্জাৰ সেই ঠাইত ঈশ্বৰৰ নিয়ম-চন্দুকটিৰ কাষতে মৃত্যু হ’ল। ৮
যিহোৱাই উজ্জাক আঘাত কৰাৰ কাৰণে দায়ূদে মনত বেজাৰ পালে
আৰু তেওঁ সেই ঠাইৰ নাম পেৰচ-উজ্জা ৰাখিলে৷ আজিলৈকে সেই
ঠাইৰ নাম পেৰচ-উজ্জা’ই আছে। ৯ সেই দিনা দায়ূদৰ যিহোৱাৰ
প্ৰতি ভয় লাগিল৷ তেওঁ ক’লে “যিহোৱাৰ নিয়ম-চন্দুক মোৰ ওচৰলৈ
কেনেকৈ আহিব?” ১০ এই হেতুকে দায়ূদে তেওঁৰ লগত যিহোৱাৰ
নিয়ম-চন্দুকটি দায়ূদৰ নগৰলৈ আনিবলৈ ইচ্ছা নকৰিলে৷ তাৰ সলনি
তেওঁ সেই নিয়ম চন্দুকটি গাতীয়া ওবেদ-ইদোমৰ ঘৰত থলেগৈ।
১১ যিহোৱাৰ নিয়ম-চন্দুকটি গাতীয়া ওবেদ-ইদোমৰ ঘৰত তিনি
মাহ থাকিল৷ তাতে যিহোৱাই ওবেদ-ইদোমক আৰু তেওঁৰ গোটেই

ঘৰখনক আশীৰ্ব্বাদ কৰিলে। ১২ তাৰ পাছত “যিহোৱাই ঈশ্বৰৰ নিয়ম-
চন্দুকৰ বাবে ওবেদ-ইদোমৰ ঘৰ আৰু তেওঁৰ যি যি আছে, সেই
সকলোকে আশীৰ্ব্বাদ কৰিলে” এই বুলি দায়ূদৰ আগত কোৱা হ’ল।
তেতিয়া দায়ূদে গৈ ওবেদ ইদোমৰ ঘৰৰ পৰা আনন্দেৰে ঈশ্বৰৰ
নিয়ম-চন্দুকটি দায়ূদৰ নগৰলৈ লৈ আনিলে। ১৩ যেতিয়া যিহোৱাৰ
নিয়ম-চন্দুকটি কঢ়িয়াই অনা লোকসকলে ছখোজ আগবাঢ়ি গ’ল,
তেওঁ এটা বলদগৰু আৰু এটা হৃষ্টপুষ্ট গৰু পোৱালি বলিদান কৰিলে।
১৪ আৰু দায়ূদে শণ সূতাৰ এখন এফোদ পিন্ধি যিহোৱাৰ আগত পাৰে
মানে নাচিলে৷ ১৫ এইদৰে দায়ুদ আৰু ইস্ৰায়েলৰ সকলো বংশই
জয়ধ্বনি কৰি কৰি আৰু শিঙাৰ বাদ্য বজাই বজাই যিহোৱাৰ নিয়ম-
চন্দুকটি লৈ আনিলে। ১৬ তেতিয়া যিহোৱাৰ নিয়ম-চন্দুকটি দায়ূদৰ
নগৰত সোমাওঁতে, চৌলৰ জীয়েক মীখলে খিড়িকি দুৱাৰেদি চাই
আছিল৷ যিহোৱাৰ আগত দায়ুদ ৰজাক ডেও দি নাচি থকা দেখি,
মনতে তেওঁক তুচ্ছ জ্ঞান কৰিলে। ১৭ পাছত তেওঁলোকে যিহোৱাৰ
নিয়ম-চন্দুকটি ভিতৰলৈ আনি, দায়ূদে তাৰ ঠাই স্থাপন কৰি ৰখা
তম্বুৰ মজিয়াৰ মাজত ৰাখিলে৷ আৰু দায়ূদে যিহোৱাৰ সাক্ষাতে হোম-
বলি আৰু মঙ্গলাৰ্থক বলি উৎসৰ্গ কৰিলে। ১৮ পাছে হোমবলি আৰু
মঙ্গলাৰ্থক বলি উৎসৰ্গ শেষ হোৱাৰ পাছত দায়ূদে বাহিনীসকলৰ
যিহোৱাৰ নামেৰে লোকসকলক আশীৰ্ব্বাদ কৰিলে। ১৯ আৰু সকলো
লোকৰ মাজত অৰ্থাৎ ইস্ৰায়েলৰ গোটেই লোক সকলৰ মাজত থকা
প্ৰত্যেক পুৰুষ আৰু স্ত্ৰীক এটা পিঠা, এটুকুৰা মঙহ আৰু এলদা এলদা
শুকান দ্ৰাক্ষাগুটি বিলাই দিলে। পাছত সকলো লোক নিজ নিজ ঘৰলৈ
গুচি গ’ল। ২০ তেতিয়া দায়ূদে নিজৰ পৰিয়ালক আশীৰ্ব্বাদ কৰিবৰ
বাবে উভটি আহিল৷ চৌলৰ জীয়েক মীখলে, দায়ূদক আগবঢ়াবলৈ
ওলাই গৈ ক’লে, “আজি ইস্ৰায়েলৰ ৰজা কেনে গৌৰৱান্বিত হ’ল!
যেনেকৈ কোনো অমাৰ্জিত চিত্তৰ লোক নিলাজৰ দৰে বিবস্ত্ৰ হয়,
তেনেকৈ তেওঁ আজি নিজ দাসবোৰৰ মাজৰ বেটীসকলৰ আগত বিবস্ত্ৰ
হ’ল!” ২১ তেতিয়া দায়ূদে সমিধান দি মীখলক ক’লে, “তোমাৰ পিতৃ
আৰু তেওঁৰ সকলো বংশৰ ওপৰত যিহোৱাৰ প্ৰজা ইস্ৰায়েল লোকৰ

অধ্যক্ষপদত মোক যিজন সৰ্ব্বশক্তিমান ঈশ্বৰে মনোনীত কৰিলে, সেই
যিহোৱাৰ সাক্ষাতেই মই তাকেই কৰিলোঁ। এই হেতুকে মই সেই
যিহোৱাৰ সাক্ষাতেই আমোদ কৰিম৷ ২২ মই ইয়াতকৈয়ো আৰু ‘লঘু’
হ’ম আৰু মোৰ নিজ দৃষ্টিত আৰু হীন হ’ম, কিন্তু তুমি যি বেটীসকলৰ
কথা কলা, সিহঁতৰ আগতেই নিলাজৰ দৰে অমাৰ্জিত চিত্তৰ লোক
হৈ আদৰ পোৱা হ’ম।” ২৩ এতেকে চৌলৰ জীয়েক মীখলৰ মৰণ
কাললৈকে কোনো সন্তান নহ’ল।

৭ পাছত ৰজাই যেতিয়া নিজৰ গৃহত বাস কৰিবলৈ ধৰিলে আৰু
যিহোৱাই চাৰিওফালে থকা সকলো শত্ৰুৰ পৰা ৰজাক বিশ্ৰাম দিলে,
২ তেতিয়া ৰজাই নাথন ভাববাদীক ক’লে, “এতিয়া চাওঁক, মই এৰচ
কাঠেৰে সজা গৃহত বাস কৰি আছোঁ; কিন্তু ঈশ্বৰৰ নিয়ম-চন্দুকটি তম্বুৰ
মাজ-মজিয়াতেই আছে।” ৩ তেতিয়া নাথনে ৰজাক ক’লে, “ভাল,
আপোনাৰ মনত যি আছে তাকে কৰক; কিয়নো যিহোৱা আপোনাৰ
লগত আছে।” ৪ পাছত নাথনলৈ সেই ৰাতিয়েই যিহোৱাৰ বাক্য
আহিল, ৫ বোলে, “যোৱা আৰু তুমি গৈ মোৰ দাস দায়ূদক কোৱা,
‘যিহোৱাই এই কথা কৈছে: বোলে, তুমিয়েই জানো মোৰ বসতি গৃহ
নিৰ্ম্মাণ নকৰিবা? ৬ কিয়নো মই ইস্ৰায়েলৰ সন্তান সকলক মিচৰ
দেশৰ পৰা উলিয়াই অনা দিনৰে পৰা আজিলৈকে কোনো গৃহত বাস
কৰা নাই; কেৱল মোৰ আবাস যি তম্বু, তাত থাকিহে ভ্ৰমণ কৰি আছোঁ।
৭ গোটেই ইস্ৰায়েলৰ সন্তান সকলৰ মাজত মই অহা-যোৱা কৰা কোনো
এক ঠাইত, মই যিজনক মোৰ প্ৰজা ইস্ৰায়েল লোকসকলক প্ৰতি
পালন কৰিবলৈ ভাৰ দিছিলোঁ, ইস্ৰায়েলৰ এনে কোনো ফৈদক জানো
কেতিয়াবা এই কথা কৈছিলোঁ যে, “তোমালোকে কিয় মোৰ কাৰণে
এৰচ কাঠৰ গৃহ নিৰ্ম্মাণ নকৰা’?” ৮ এই হেতুকে এতিয়া, তুমি মোৰ
দাস দায়ূদক কোৱা, “বাহিনীসকলৰ যিহোৱাই এই কথা কৈছে: ‘মোৰ
প্ৰজা ইস্ৰায়েলৰ সন্তান সকলৰ ওপৰত অধিপতি হ’বলৈ মই তোমাক
মেৰৰ চৰণী ঠাইৰ পৰা আৰু জাকৰ পাছে পাছে যোৱাৰ পৰা গ্ৰহণ
কৰিলোঁ; ৯ আৰু তুমি যি যি ঠাইলৈ গৈছিলা, সেই সকলোতে মই
তোমাৰ সঙ্গী হৈ তোমাৰ সন্মুখৰ পৰা তোমাৰ আটাই শত্ৰুসকলক

উচ্ছন্ন কৰিলোঁ৷ পৃথিৱীত থকা মহৎ লোকৰ নামৰ দৰে তোমাৰো
নাম মহৎ কৰিম। ১০ আৰু মই নিজ প্ৰজা ইস্ৰায়েলৰ কাৰণে এটা
ঠাই নিশ্চয় কৰি তেওঁলোকক ৰোপণ কৰিম; তাতে তেওঁলোকে নিজ
নিজ ঠাইতে বাস কৰিব; তেওঁলোকক আৰু লৰোৱা নহ'ব৷ সেইদৰে
আগৰ কালৰ নিচিনাকৈ দুৰ্জ্জনৰ সন্তান সকলে তেওঁলোকক আৰু দুখ
নিদিব, ১১ যেতিয়াৰে পৰা মই নিজ প্ৰজা ইস্ৰায়েল লোকসকলৰ
ওপৰত বিচাৰকৰ্ত্তাসকলক নিযুক্ত কৰিছিলোঁ; তেতিয়াৰে পৰা যেনে
হৈছিল, মই সকলো শত্ৰুবোৰৰ পৰা তোমাক বিশ্ৰাম দিম। তাৰোপৰি
মই, যিহোৱাই ঘোষণা কৰিছোঁ যে, তোমাৰ কাৰণে এক বংশ উৎপন্ন
কৰিম। ১২ তোমাৰ আয়ুস সম্পূৰ্ণ হ'লে, যেতিয়া তুমি নিজ ওপৰ-
পিতৃসকলৰ লগত নিদ্ৰিত হ'বা, তেতিয়া তোমাৰ ঔৰসত উৎপন্ন হোৱা
তোমাৰ পাছৰ বংশৰ লোকক মই স্থাপন কৰিম আৰু তেওঁৰ ৰাজ্য
স্থিৰ কৰিম। ১৩ মোৰ নামৰ কাৰণে তেওঁহে এটা গৃহ নিৰ্ম্মাণ কৰিব
আৰু মই তেওঁৰ ৰাজসিংহাসন চিৰস্থায়ী কৰিম। ১৪ মই তেওঁৰ পিতৃ
হম আৰু তেওঁ মোৰ পুত্ৰ হ'ব। তেওঁ অপৰাধী হ'লে মই মনুষ্যসকলৰ
দণ্ডেৰে আৰু মনুষ্য সন্তান সকলৰ প্ৰহাৰৰ দ্বাৰাই তেওঁক শাস্তি দিম৷
১৫ কিন্তু মই যি জনক তোমাৰ আগৰ পৰা দূৰ কৰিলোঁ, সেই চৌলৰ
পৰা মই যেনেকৈ মোৰ দয়া গুচালোঁ, তেনেকৈ তেওঁৰ পৰা মোৰ দয়া
নুগুচিব। ১৬ আৰু তোমাৰ বংশ ও ৰাজত্ব সদাকাললৈকে তোমাৰ
আগত থিৰে থাকিব৷ তোমাৰ সিংহাসন চিৰস্থায়ী হ'ব'।" ১৭ এই
সকলো বাক্য আৰু এই গোটেই দৰ্শন অনুসাৰে নাথনে দায়ূদক ক'লে।
১৮ যেতিয়া দায়ুদ ৰজাই ভিতৰলৈ গৈ যিহোৱাৰ আগত বহি তেওঁ
ক'লে, "হে প্ৰভু যিহোৱা, মইনো কোন, মোৰ বংশই বা কি, যে, তুমি
মোক ইমান ওখ খাপলৈ আনিছা? ১৯ তথাপি হে প্ৰভু যিহোৱা, তোমাৰ
দৃষ্টিত ই অতি সৰু বিষয় আছিল৷ তুমি নিজ দাসৰ বংশৰ বিষয়েও
সুদীৰ্ঘ কালৰ কথা ক'লা, হে প্ৰভু যিহোৱা, ইয়াক তুমি মানুহৰ বিধিৰ
দৰে কৰিলা। ২০ ইয়াৰ পাছত মই, দায়ূদে তোমাক আৰু কি ক'ম?
কাৰণ হে প্ৰভু যিহোৱা, তুমি নিজ দাসক জানি আছা। ২১ কিয়নো তুমি
নিজ বাক্যৰ কাৰণে আৰু তোমাৰ নিজ উদ্দেশ্য সিদ্ধ কৰিবলৈ, এই

সমস্ত মহৎ কৰ্ম সাধন কৰি, তোমাৰ দাসক জনালা। ২২ এই হেতুকে
হে ঈশ্বৰ যিহোৱা, তুমি মহান৷ কিয়নো আমি নিজ কাণে যি যি শুনিলোঁ,
সেই সকলোৰ দৰে তোমাৰ তুল্য কোনো নাই। আৰু তোমাত বাজে
আৰু কোনো ঈশ্বৰ নাই। ২৩ আৰু তোমাৰ প্ৰজা ইস্ৰায়েললোকৰ তুল্য,
যিসকলক ঈশ্বৰে নিজৰ কাৰণে মুক্ত কৰি নিজ প্ৰজা কৰিবলৈ আৰু
নিজৰ নাম কীৰ্ত্তিমন্ত কৰিবলৈ আৰু মিচৰৰ পৰা অৰ্থাৎ অনা-ইস্ৰায়েলী
আৰু তেওঁলোকৰ দেৱতাবোৰৰ মাজৰ পৰা তুমি মুক্ত কৰা তোমাৰ
প্ৰজাৰ আগত আমাৰ পক্ষে মহৎ কৰ্ম আৰু তোমাৰ দেশৰ পক্ষে নানা
ভয়ঙ্কৰ কৰ্ম সিদ্ধ কৰিবলৈ তুমি আগমণ কৰিলা, পৃথিৱীৰ মাজত এনে
আন কোন জাতি আছে? ২৪ আৰু সদাকাল তোমাৰ প্ৰজা হবৰ অৰ্থে
তোমাৰ বাবে তোমাৰ প্ৰজা ইস্ৰায়েল লোকক তুমি স্থাপন কৰিলা৷
আৰু হে যিহোৱা, তুমি তেওঁলোকৰ ঈশ্বৰ থ'লো। ২৫ এই হেতুকে
এতিয়া হে ঈশ্বৰ যিহোৱা, তুমি নিজ দাসৰ আৰু তাৰ বংশৰ বিষয়ে
যি বাক্য ক'লা, তাক সদাকাললৈ থিৰ কৰা; আৰু যেনেকৈ ক'লা,
তেনেকৈয়ে কৰা। ২৬ 'বাহিনীসকলৰ যিহোৱা ইস্ৰায়েলৰ ওপৰত
থাকোঁতা ঈশ্বৰ আৰু তোমাৰ দাস দায়ূদৰ বংশ তোমাৰ সাক্ষাতে
থিৰে থাকিব', এইবুলি লোকে ক'ব৷ তোমাৰ নাম সদাকাল মহিমান্বিত
হওঁক। ২৭ কিয়নো হে ইস্ৰায়েলৰ ঈশ্বৰ বাহিনীসকলৰ যিহোৱা, 'মই
তোমাৰ কাৰণে এক বংশ স্থাপন কৰিম' বুলি তুমিয়েই তোমাৰ দাসৰ
আগত প্ৰকাশ কৰিলা৷ এই কাৰণে তোমাৰ আগত এই প্ৰাৰ্থনা কৰিবলৈ
তোমাৰ দাসৰ মনত সাহস জন্মিল। ২৮ আৰু এতিয়া হে প্ৰভু যিহোৱা,
তুমিয়েই ঈশ্বৰ, তোমাৰ বাক্য বিশ্বস্ত আৰু তুমিয়েই তোমাৰ দাসলৈ
এই মঙ্গল প্ৰতিজ্ঞা কৰিলা। ২৯ এই হেতুকে তোমাৰ দাসৰ বংশ
যেন তোমাৰ আগত সদাকাল থাকে, এই কাৰণে অনুগ্ৰহ কৰি তাক
আশীৰ্ব্বাদ কৰা৷ কিয়নো হে প্ৰভু যিহোৱা, তুমি নিজে প্ৰতিজ্ঞা কৰিলা
আৰু তোমাৰ আশীৰ্ব্বাদৰ গুণে তোমাৰ এই দাসৰ বংশ সদাকাল
আশীৰ্ব্বাদপ্ৰাপ্ত হওঁক।"

**৮** ইয়াৰ পাছত দায়ূদে পলেষ্টীয়াসকলক আক্ৰমণ কৰি পৰাজয়
কৰিলে৷ এইদৰে তেওঁলোকৰ হাতৰ পৰা গাথ্ আৰু ইয়াৰ গাওঁসমূহ

অধিকাৰ কৰি ল'লে। ২ তাৰ পাছত তেওঁ মোৱাবীয়াসকলক আক্ৰমণ
কৰি তেওঁলোকক মাটিত শুৱাই লেজুৰে জুখিলে৷ অৰ্থাৎ বধ কৰিবৰ
অৰ্থে দুই লেজু আৰু জীয়াই ৰাখিবৰ বাবে সম্পূৰ্ণ এক লেজু জুখিলে৷
পাছত মোৱাবীয়াসকলে দায়ূদৰ দাস হ'ল আৰু তেওঁলৈ প্ৰশংসাৰে
উপহাৰ আনিবলৈ ধৰিলে। ৩ আৰু চোবাৰ ৰজা ৰহোবৰ পুত্ৰ হদদেজৰে
ইউফ্ৰেটিচ নদীৰ ওচৰত নিজৰ অধিকাৰ পুনৰায় স্থাপন কৰিবলৈ
যাওঁতে, দায়ূদে তেওঁক আক্ৰমণ কৰি পৰাজয় কৰিলে৷ ৪ তেওঁৰ এক
হাজাৰ ৰথ, সাত শ অশ্বাৰোহী আৰু বিশ হাজাৰ পদাতিক সৈন্যক
বন্দী কৰি ল'লে৷ আৰু তেওঁ ৰথৰ আটাই ঘোঁৰাবোৰৰ পাছঠেঙৰ
সিৰ কাটিলে, কিন্তু তাৰ মাজত এশ ৰথৰ বাবে ঘোঁৰা ৰাখিলে। ৫
পাছে দম্মেচকৰ অৰামীয়াসকলে চোবাৰ হদদেজৰ ৰজাক সহায়
কৰিবলৈ আহোতে, দায়ূদে সেই অৰামীয়াসকলৰ মাজৰ বাইশ হাজাৰ
লোকক বধ কৰিলে। ৬ তাৰ পাছত দায়ূদে দম্মেচকৰ অৰাম দেশত
ৰক্ষী সৈন্যদল স্থাপন কৰিলে, তাতে অৰামীয়াসকলে দায়ূদৰ দাস হৈ
প্ৰশংসাৰে উপহাৰ আনিলে। এইদৰে দায়ুদ যি যি ঠাইলৈ গৈছিল,
সেই সকলোতে যিহোৱাই তেওঁক জয়ী হ'বলৈ দিছিল। ৭ আৰু দায়ূদে
হদদেজৰৰ দাস কেইজনৰ গাত থকা সোণৰ ঢালবোৰ সোলোকাই
যিৰূচালেমলৈ লৈ গ'ল। ৮ আৰু দায়ুদ ৰজাই হদদেজৰৰ বেটহ আৰু
বেৰোথয় নগৰৰ পৰা অধিক পিতল আনিলে। ৯ পাছত দায়ূদে
হদদেজৰৰ সকলো সৈন্যসামন্তক পৰাজয় কৰা কথা হমাত'ৰ ৰজা
তোৱীয়ে যেতিয়া শুনিলে, ১০ তেতিয়া যুদ্ধত হদদেজৰক আঘাত
কৰি পৰাজয় কৰাৰ বাবে দায়ুদ ৰজাক ধন্যবাদ দিবলৈ আৰু তেওঁৰ
মঙ্গল সুধিবলৈ, তেওঁৰ পুত্ৰ যোৰামক তেওঁৰ ওচৰলৈ পঠিয়াই দিলে;
কিয়নো হদ্‌দেজৰৰ বিৰুদ্ধেও তোৱীৰৰ যুদ্ধ চলি আছিল। পাছে
যোৰামে ৰূপৰ, সোণৰ আৰু পিতলৰ পাত্ৰ হাতত লৈ আহিল৷ ১১ দায়ুদ
ৰজাই সেই সামগ্ৰীবোৰ যিহোৱালৈ উৎসৰ্গ কৰিলে, লগতে সকলো
জাতিক পৰাজয় কৰোঁতে যিবোৰ ৰূপ আৰু সোণ আনিছিল, - ১২
সেইবোৰ অৰাম, মোৱাব, অম্মোনৰ সন্তান সকল, পলেষ্টীয়াসকল আৰু
অমালেক আদি তেওঁলোকৰ পৰা লাভ কৰা আৰু তাৰ লগতে চোবাৰ

ৰজা ৰহোবৰ পুত্ৰ হদদেজৰৰ পৰা লুট কৰি অনা সামগ্ৰীবোৰকো
যিহোৱাৰ আগত উৎসৰ্গ কৰিলে। ১৩ আৰু দায়ূদে লৱণ উপত্যকাত
অৰামীয়াসকলৰ মাজৰ ওঠৰ হাজাৰ লোকক বধ কৰি উভটি অহা
সময়ত অতিশয় নাম জ্বলা হ'ল। ১৪ পাছে দায়ূদে ইদোমত নানা ৰক্ষী
সৈন্যদল স্থাপন কৰিলে; ইদোমৰ সকলোফালে সৈন্যদল স্থাপন কৰাত,
সকলো ইদোমীয়া লোকসকলে দায়ূদৰ দাস হ'ল। আৰু দায়ুদ যি যি
ঠাইলৈ গৈছিল, সেই সকলোতে যিহোৱাই তেওঁক জয়ী হ'বলৈ দিলে।
১৫ এইদৰে গোটেই ইস্রায়েলৰ ওপৰত ৰাজত্ব কৰি দায়ূদে নিজৰ
সকলো প্ৰজাৰ বাবে বিচাৰ আৰু ন্যায় সাধন কৰিলে। ১৬ চৰূয়াৰ পুত্ৰ
যোৱাব আছিল প্ৰধান সেনাপতি, অহীলূদৰ পুত্ৰ যিহোচাফট্ আছিল
ইতিহাস লিখক৷ ১৭ অহীটুবৰ পুত্ৰ চাদোক আৰু অবিয়াথৰৰ পুত্ৰ
অহীমেলক আছিল পুৰোহিত আৰু চৰায়া আছিল ৰাজলিখক৷ ১৮
যিহোয়াদাৰ পুত্ৰ বনায়া, কৰেথীয়া আৰু পেলেথীয়াসকলৰ অধ্যক্ষ
আছিল আৰু দায়ূদৰ পুত্ৰসকল আছিল মন্ত্ৰী।

**৯** পাছে দায়ূদে সুধিলে, "মই যোনাথনৰ কাৰণে যিজনলৈ দয়া
ব্যৱহাৰ কৰিব পাৰিম, এনে চৌলৰ বংশৰ কোনো এতিয়াও অৱশিষ্ট
আছেনে?" ২ তাতে চীবা নামেৰে চৌলৰ যি এজন দাস আছিল, তেওঁক
দায়ূদৰ ওচৰলৈ মাতি অনাত, ৰজাই তেওঁক সুধিলে, "তুমি চীবা
হোৱানে?" তেওঁ ক'লে, "আপোনাৰ দাস মই, সেয়ে হওঁ।" ৩ পাছত
ৰজাই সুধিলে, "মই ঈশ্বৰলৈ চাই যিজনক দয়া কৰিব পাৰোঁ, চৌলৰ
বংশৰ এনে কোনো অৱশিষ্ট লোক নাই নে?" তাতে চীবাই ৰজাক
ক'লে, "যোনাথনৰ দুয়োখন ভৰি খোৰা হোৱা এটি পুত্ৰ এতিয়াও
অৱশিষ্ট আছে।" ৪ ৰজাই তেওঁক সুধিলে, "তেওঁ ক'ত আছে?" চীবাই
ৰজাক ক'লে, "চাওক, তেওঁ লো-দবৰাত অম্মীয়েলৰ পুতেক মাখীৰৰ
ঘৰত আছে।" ৫ তেতিয়া দায়ুদ ৰজাই লো-দবৰালৈ মানুহ পঠিয়াই
অম্মীয়েলৰ পুত্ৰ মাখীৰৰ ঘৰৰ পৰা তেওঁক অনোৱালে। ৬ পাছে
চৌলৰ নাতিয়েক যোনাথনৰ পুত্ৰ সেই মফিবোচতে, দায়ূদৰ ওচৰলৈ
আহি মাটিলৈ মুখ কৰি তেওঁক প্ৰণিপাত কৰিলে। তাতে দায়ূদে ক'লে,
"হে মফিবোচৎ", তেওঁ উত্তৰ দিলে, "চাওক, আপোনাৰ দাস আছোঁ।"

৭ তেতিয়া দায়ূদে তেওঁক ক’লে, “ভয় নকৰিবা; কিয়নো মই তোমাৰ
পিতৃ যোনাথনৰ কাৰণে অৱশ্যে দয়া কৰিম আৰু তোমাৰ পিতামহ
চৌলৰ সকলো মাটি তোমাক ওলোটাই দিম; আৰু তুমি সদায় মোৰ
মেজতে ভোজন কৰিবা।” ৮ তাতে মফীবোচতে প্ৰণিপাত কৰি ক’লে,
“আপোনাৰ দাস মইনো কোন, যে মৰা কুকুৰৰ সদৃশ যি মই, মোলৈ
আপুনি সু-দৃষ্টি কৰিছে?” ৯ পাছে ৰজাই চৌলৰ দাস সেই চীবাক
মতাই ক’লে, “মই তোমাৰ প্ৰভুৰ পুত্ৰক, চৌলৰ আৰু তেওঁৰ সকলো
বংশৰ সৰ্ব্বস্বকে দিলোঁ। ১০ এই হেতুকে তুমি আৰু তোমাৰ পুত্ৰসকলে
আৰু তোমাৰ বন্দীবোৰেও একেলগে তেওঁৰ সেই মাটিত খেতি কৰিবা
আৰু তোমাৰ প্ৰভুৰ পুত্ৰৰ আহাৰৰ বাবে তাত উৎপন্ন হোৱা শস্য আনি
দিবা৷ কিন্তু তোমাৰ প্ৰভুৰ পুত্ৰ মফিবোচতে সদায় মোৰ মেজতহে
ভোজন কৰিব।” সেই চীবাৰ পোন্ধৰজন পুতেক আৰু বিশজন দাস
আছিল। ১১ তেতিয়া চীবাই ৰজাক ক’লে, “মোৰ প্ৰভু মহাৰাজে, তেওঁৰ
এই দাসক যি আজ্ঞা দিছে, সেই দৰে তেওঁৰ এই দাসে সকলোকেই
কৰিব।” ৰজাই আৰু কলে, “মফিবোচতে ৰাজকোঁৱৰৰ মাজৰ এজনৰ
দৰে মোৰ মেজত ভোজন কৰিব।” ১২ সেই মফিবোচতৰ মীখা নামেৰে
এজন ডেকা পুত্ৰ আছিল। চীবাৰ ঘৰত থকা আটাই লোক মফীবোচতৰ
দাস আছিল। ১৩ আৰু মফিবোচতে যিৰূচালেমতে নিবাস কৰিলে আৰু
তেওঁ নিতে নিতে ৰজাৰ মেজত ভোজন কৰিলে; যদিওবা তেওঁৰ
দুয়োখন ভৰি খোৰা আছিল।

**১০** পাছত অম্মোনৰ সন্তান সকলৰ ৰজা মৃত্যু হোৱাত, তেওঁৰ পুতেক
হানুন তেওঁৰ পদত ৰজা হ’ল। ২ তাতে দায়ুদে ক’লে, “হানুনৰ পিতৃ
নাহচে মোক যিদৰে অনুগ্ৰহ কৰিছিল, সেই দৰে ময়ো হানুনক অনুগ্ৰহ
কৰিম।” এই বুলি দায়ূদে তেওঁৰ পিতৃৰ বাবে সান্ত্বনা দিবলৈ নিজৰ
দাসবোৰক পঠিয়ালে। তাতে দায়ুদৰ দাসবোৰে অম্মোনৰ সন্তান
সকলৰ দেশ প্ৰবেশ কৰিলে৷ ৩ অম্মোনৰ সন্তান সকলৰ অধ্যক্ষসকলে
নিজ প্ৰভু হানুনক ক’লে, “দায়ূদে আপোনাৰ পিতৃক আদৰ কৰে দেখি,
আপোনাক সান্ত্বনা দিবলৈ আপোনাৰ ওচৰলৈ লোক পঠিয়াইছে বুলি
আপুনি ভাবিছেনে?” দায়ূদে নগৰ চাবলৈ, তাৰ বুজ-বিচাৰ ল’বলৈ

আৰু তাক নষ্ট কৰিবলৈ দাসবোৰক জানো পঠোৱা নাই? ৪ তাতে
হানুনে দায়ূদৰ দাসবোৰক ধৰি তেওঁলোকৰ এফাল এফাল ডাঢ়ি
খুৰোওৱালে আৰু তেওঁলোকৰ পিন্ধা কাপোৰৰ আধা টিকাৰ গুৰিত
কাটি তেওঁলোকক বিদায় দিলে। ৫ যেতিয়া তেওঁলোকে দায়ূদৰ আগত
এই সকলো বাখ্যা কৰিলে, ৰজাই তেওঁলোকৰ সৈতে সাক্ষাৎ কৰিবলৈ
মানুহ পঠিয়ালে, কাৰণ তেওঁলোকে অতিশয় লজ্জিত হৈছিল। ৰজাই
তেওঁলোকক আজ্ঞা দিলে, বোলে "তোমালোকৰ ডাঢ়ি নহয় মানে
তোমালোক যিৰীহোতে থাকাগৈ; পাছত উলটি আহিবা।" ৬ পাছে
অম্মোনৰ সন্তান সকল দায়ূদলৈ ঘিণলগীয়া হ'ল বুলি জানি, মানুহ
পঠিয়াই বৈৎ-ৰহোবৰ আৰু চোবাৰ বিশ হাজাৰ অৰামীয়া পদাতিক
সৈন্য আৰু মাখাৰ ৰজাক ও তেওঁৰ এক হাজাৰ লোক আৰু টোবৰ
বাৰ হাজাৰ লোকক বেচ দি অনালে। ৭ পাছে দায়ূদে সেই সম্বাদ
পাই যোৱাবক আৰু পৰাক্ৰমী গোটেই সৈন্যসামন্তক তালৈ পঠিয়াই
দিলে। ৮ তাতে অম্মোনৰ সন্তান সকলে বাহিৰলৈ আহি নগৰৰ
দুৱাৰ মুখত যুদ্ধ কৰিবৰ অৰ্থে সৈন্যৰ বেহু পাতিলে আৰু চোবাৰ
ও ৰহোবৰ অৰামীয়া লোকসকল আৰু টোবৰ ও মাখাৰ লোকসকল
পৃথকে পৃথকে মুকলি পথাৰত থাকিল। ৯ এইদৰে শাৰীপাতি তেওঁৰ
ফালে মুখ কৰি আগফালে আৰু পাছফালে অৰ্থাৎ দুয়োফালে যুদ্ধ
হোৱাৰ আশঙ্কা দেখি, যোৱাবে ইস্ৰায়েলৰ আটাই মনোনীতলোকৰ
মাজত মানুহ বাচি লৈ, অৰামীয়াসকলৰ বিৰুদ্ধে বেহু পাতিলে; ১০ আৰু
অৱশিষ্ট লোকসকলক নিজ ভায়েক অবীচয়ৰ হাতত শোধাই দিলে,
তেতিয়া তেওঁ অম্মোনৰ সন্তান সকলৰ বিৰুদ্ধে বেহু পাতিলে। ১১
যোৱাবে ক'লে, "যদি অৰামীয়াসকল মোতকৈ বলৱান হয়, তেন্তে
তুমি আহি মোক সহায় কৰিবাহি৷ আৰু যদি তোমাতকৈ অম্মোনৰ
সন্তান সকল অতি বলৱান হয়, তেন্তে মই গৈ তোমাক সহায় কৰিম।
১২ তুমি সাহিয়াল হোৱা; আমি স্ব-জাতীয় লোকসকলৰ আৰু আমাৰ
ঈশ্বৰৰ নগৰবোৰৰ বাবে পুৰুষালি দেখুৱাওহঁক; আৰু যিহোৱাই নিজ
দৃষ্টিত যিহকে ভাল দেখে, তাকেই কৰক।" ১৩ পাছে যোৱাব আৰু
তেওঁৰ লগৰ লোকসকল অৰামীয়াসকলৰ সৈতে যুদ্ধ কৰিবলৈ ওচৰ

চাপোতেই তেওঁলোক ইস্ৰায়েলৰ সৈন্যসকলৰ আগৰ পৰা পলাল।
১৪ আৰু অৰামীয়াসকলক পলোৱা দেখি, অম্মোনৰ সন্তান সকলেও
অবীচয়ৰ আগৰ পৰা পলাই নগৰত সোমালগৈ। তেতিয়া যোৱাব
অম্মোনৰ সন্তান সকলৰ ওচৰৰ পৰা ঘুৰি যিৰূচালেমলৈ উভটি আহিল।
১৫ পাছত অৰামীয়াসকলে ইস্ৰায়েলৰ সন্মুখত নিজকে পৰাজিত হোৱা
দেখি তেওঁলোক পুনৰ গোট খালে। ১৬ তেতিয়া হদদেজৰে মানুহ
পঠিয়াই ইউফ্ৰেটাচ্ নদীৰ সিপাৰে থকা অৰামীয়াসকলক বাহিৰ কৰি
আনিলে৷ তেওঁলোক হেলমলৈ হদদেজৰৰ সেনাপতি চোবকৰ সৈতে
তেওঁলোকৰ অগ্ৰগামী হৈ আহিল। ১৭ পাছে দায়ূদৰ আগত এই বাতৰি
দিয়া হোৱাত, তেওঁ গোটেই ইস্ৰায়েলক গোটাই লৈ যৰ্দ্দন পাৰহৈ
হেলমলৈ গ'ল। তাতে অৰামীয়া লোকসকলে দায়ূদৰ বিৰুদ্ধে বেহু
পাতি তেওঁৰ লগত যুদ্ধ কৰিলে। ১৮ কিন্তু অৰামীয়াসকল ইস্ৰায়েলৰ
সন্মুখৰ পৰা পলাল৷ আৰু দায়ূদে অৰামীয়াসকলৰ সাত শ ৰথী সৈন্য
আৰু চল্লিশ হাজাৰ অশ্বাৰোহী বধ কৰিলে আৰু তেওঁলোকৰ সেনাপতি
চোবককো এনেকৈ প্ৰহাৰ কৰিলে যে, তেওঁ তাতে মৰিল। ১৯ পাছত
ইস্ৰায়েলৰ সন্মুখত নিজক পৰাজিত হোৱা দেখি, হদদেজৰৰ অধীনত
থকা সকলো ৰজাই ইস্ৰায়েল সকলৰ সৈতে সন্ধি পাতি তেওঁলোকৰ
অধীন হ'ল। তেতিয়াৰে পৰা অৰামীয়ালোকে অম্মোনৰ সন্তান সকলক
আৰু সহায় কৰিবলৈ ভয় কৰিলে।

**১১** পাছত বসন্তকাল আহিল, যি কালত ৰজাসকলে যুদ্ধলৈ যায়,
এনে কালতেই দায়ূদে যোৱাবক, লগত তেওঁৰ দাসবোৰ আৰু
গোটেই ইস্ৰায়েলৰ সৈন্যসকলক পঠিয়ালে৷ তেওঁলোকে গৈ অম্মোনৰ
সৈন্যসকলক বিনাশ কৰি ৰব্বা নগৰ অধিকাৰ কৰি ল'লে৷ কিন্তু
দায়ুদ যিৰূচালেমতেই থাকিল। ২ পাছত এদিন সন্ধিয়া সময়ত,
দায়ূদে শয্যাৰ পৰা উঠি তেওঁৰ ৰাজগৃহৰ চালৰ ওপৰত ঘূৰি ফুৰি
আছিল৷ তাতে তাৰ পৰা চাই এগৰাকী মহিলাক গা ধুই থকা দেখিলে;
মহিলা গৰাকী দেখিবলৈ অতি শুৱনি আছিল। ৩ তেতিয়া কোনে এই
মহিলা গৰাকীৰ বিষয়ে জানিব, তাৰ বুজ-বিচাৰ ল'বলৈ দায়ূদে মানুহ
পঠিয়ালে৷ কোনো এজনে ক'লে, "তেওঁ ইলীয়ামৰ জীয়েক বৎচেবা

আৰু হিত্তীয়া ঊৰিয়াৰ পত্নী জানো নহয়?" ৪ তেতিয়া দায়ূদে দূত
পঠিয়াই তেওঁক অনোৱালে আৰু যেতিয়া তেওঁ দায়ূদৰ ওচৰলৈ আহিল,
তেতিয়া দায়ূদে তেওঁৰ লগত শয়ন কৰিলে, কিয়নো সেই মহিলাই
নিজ অশৌচৰ পৰা শুচি হৈছিল৷ তাৰ পাছত তাই নিজৰ ঘৰলৈ উভটি
গ'ল। ৫ পাছত সেই মহিলা গৰাকী গৰ্ভৱতী হোৱাত, তেওঁ মানুহ
পঠিয়াই দায়ূদক এই বাতৰি দি ক'লে বোলে, "মই গৰ্ভৱতী হ'লো।"
৬ তেতিয়া দায়ূদে যোৱাবৰ ওচৰলৈ কৈ পঠিয়ালে বোলে, "হিত্তীয়া
ঊৰিয়াক মোৰ ওচৰলৈ পঠিয়াই দিয়া।" তাতে যোৱাবে ঊৰিয়াক
দায়ূদৰ ওচৰলৈ পঠিয়াই দিলে। ৭ যেতিয়া ঊৰিয়া তেওঁৰ ওচৰলৈ
আহিল, দায়ূদে তেওঁক যোৱাবৰ বিষয়ে, সৈন্যসকলৰ আৰু যুদ্ধৰ
বাতৰি সুধিলে। ৮ দায়ূদে ঊৰিয়াক ক'লে, "তুমি নিজ ঘৰলৈ যোৱা
আৰু নিজৰ ভৰি ধুই পেলোৱা।" তাতে ঊৰিয়া ৰজাৰ ঘৰৰ পৰা ওলাই
গ'ল আৰু তেওঁ ওলাই যোৱাৰ পাছত ৰজাই তেওঁলৈ এটি উপহাৰ দি
পঠিয়ালে৷ ৯ কিন্তু ঊৰিয়াই নিজ প্ৰভুৰ দাসবোৰৰ সৈতে ৰাজগৃহৰ
দুৱাৰ-মুখতে শুই থাকিল, নিজৰ ঘৰলৈ বুলি আৰু নামি নগ'ল। ১০
পাছত ঊৰিয়া নিজৰ ঘৰলৈ নোযোৱা কথা দায়ূদৰ আগত লোক
সকলে জনোৱাত দায়ূদে ঊৰিয়াক ক'লে, "তুমি যাত্ৰা কৰি অহা নাই
নে? তেন্তে নিজৰ ঘৰলৈ তুমি কিয় নগ'লা?" ১১ তাতে ঊৰিয়াই
দায়ূদক ক'লে, "নিয়ম চন্দুকটি, ইস্ৰায়েলসকল আৰু যিহূদা তম্বুত
বাস কৰি আছে আৰু মোৰ প্ৰভু যোৱাব আৰু মোৰ প্ৰভুৰ দাসবোৰ
মুকলি পথাৰত ছাউনি পাতি আছে৷ তেন্তে মই জানো ভোজন-পান
কৰিবলৈ আৰু পত্নীৰ সৈতে শয়ন কৰিবলৈ নিজৰ ঘৰলৈ যাব পাৰোঁ?
আপোনাৰ জীৱনৰ আৰু আপোনাৰ জীয়া প্ৰাণৰ শপত, মই এনে কৰ্ম
কৰিব নোৱাৰো।" ১২ তেতিয়া দায়ূদে ঊৰিয়াক ক'লে, "তুমি আজিও
ইয়াতে থাকা, কাইলৈ মই তোমাক বিদায় দিম।" তাতে ঊৰিয়াই
সেইদিনা আৰু তাৰ পাছ দিনাখনো যিৰূচালেমত থাকিল। ১৩ আৰু
দায়ূদে যেতিয়া তেওঁক নিমন্ত্ৰণ কৰিলে, তেওঁৰ সাক্ষাতে ভোজন পান
কৰোঁৱাই তেওঁক মতলীয়া কৰালে৷ তথাপি তেওঁ সন্ধ্যাৰ সময়ত নিজ
প্ৰভুৰ দাসবোৰৰ লগত নিজ শয্যাত শুবলৈ বাহিৰলৈ গ'ল; তেওঁ নিজৰ

ঘৰলৈ নামি নগ'ল। ১৪ পাছত ৰাতিপুৱা দায়ূদে যোৱাবলৈ এখন পত্ৰ
লিখিলে আৰু উৰিয়াৰ হাতত দি পঠিয়ালে। ১৫ দায়ূদে পত্ৰখনত
ইয়াকে লিখিছিল বোলে, "তোমালোকে উৰিয়াক আটাইতকৈ প্ৰবল
যুদ্ধৰ সন্মুখত ৰাখি থবা আৰু সি যেন আঘাত পাই মৰে সেই বাবে
তোমালোক তাৰ পৰা পাছ হুঁহকি যাবা।" ১৬ পাছত যোৱাবে নগৰ
অৱৰোধ হোৱা সময়ত, যি ঠাইত আটাইতকৈ শক্তিশালী শত্ৰু আছে
বুলি জানিছিল, সেই ঠাইতে উৰিয়াক হ'ল। ১৭ পাছে নগৰত থকা
লোকসকলে বাহিৰ ওলাই যোৱাবৰ সৈন্যসকলৰ লগত যুদ্ধ কৰাত,
লোকসকলৰ মাজৰ অৰ্থাৎ দায়ূদৰ সৈন্যসকলৰ মাজৰ কিছুলোক
পতিত হ'ল আৰু তাতে হিত্তীয়াৰ উৰিয়াৰো মৃত্যু হ'ল। ১৮ যেতিয়া
যোৱাবে দূত পঠিয়াই সেই যুদ্ধৰ সকলো বিৱৰণ দায়ূদক জনালে,
১৯ তেওঁ দূতক আজ্ঞা দি কৈছিল, বোলে, "তুমি ৰজাৰ আগত ৰণৰ
আটাই বাতৰি কৈ এটোৱাৰ পাছত, ২০ যদি ৰজাই খং উঠি তোমাক
কয়, তোমালোকে যুদ্ধ কৰোঁতে নগৰৰ গড়ৰ ইমান ওচৰ চাপি কিয়
গৈছিলা? তেওঁলোকে গড়ৰ ওপৰৰ পৰা কাঁড় মাৰিব বুলি তোমালোকে
নাজানিছিলা নে? ২১ যিৰূব্বেচতৰৰ পুত্ৰ অবীমেৰকক কোনে বধ
কৰিলে? এগৰাকী মহিলাই গড়ৰ ওপৰৰ পৰা জাঁত শিলৰ ওপৰৰ
চলা তেওঁৰ ওপৰত পেলালে, যাতে তেওঁৰ মৃত্যু হয়, সেইদৰে তেওঁ
তেবেচত নমৰিল নে? গতিকে তোমালোকে গড়ৰ ইমান ওচৰলৈ
কিয় গৈছিলা? তেতিয়া তুমি নিশ্চয় কবা, 'আপোনাৰ দাস হিত্তীয়াৰ
উৰিয়াও মৰিল'।" ২২ পাছে সেই দূতে গৈ দায়ূদৰ গুৰিত উপস্থিত
হৈ, যোৱাবে কৈ পঠোৱা সকলো কথা তেওঁৰ আগত জনালে। ২৩
সেই দূতে দায়ূদক ক'লে, "সেই শত্ৰুসকল আমাতকৈ পাচত আমাৰ
বিৰুদ্ধে প্ৰবল হৈ পথাৰলৈ আমাৰ ওচৰলৈকে ওলাই আহিছিল; তেতিয়া
আমি নগৰৰ দুৱাৰ-মুখলৈকে সিহঁতৰ পাছে পাছে খেদি গৈছিলোঁ৷ ২৪
কাঁড়মৰা লোকসকলে গড়ৰ ওপৰৰ পৰা আপোনাৰ দাসবোৰলৈ কাঁড়
মাৰিলে; তাতে মহাৰাজৰ কেতবোৰ দাস মৰিল আৰু আপোনাৰ দাস
হিত্তীয়াৰ উৰিয়াও মৰিল।" ২৫ তেতিয়া দায়ূদে সেই দূতক ক'লে,
"তুমি গৈ যোৱাবক এইদৰে ক'বা, 'ইয়াত তুমি অসন্তোষ নকৰিবা

কিয়নো তৰোৱালে যেনেকৈ এজনক, তেনেকৈ আনজনকো গ্ৰাস
কৰে; তুমি নগৰৰ বিৰুদ্ধে আৰু ঘোৰ যুদ্ধ কৰি তাক উচ্ছন্ন কৰা।
এইদৰে তেওঁক আশ্বাস দিবা। ২৬ পাছে উৰিয়াৰ পত্নীয়ে নিজ স্বামী
ঊৰিয়াৰ মৃত্যু-সম্বাদ পাই তেওঁ স্বামীৰ বাবে গভীৰ শোক কৰিলে। ২৭
পাছে শোকৰ দিন শেষ হোৱাত, দায়ূদে মানুহ পঠিয়াই তেওঁক নিজৰ
ঘৰলৈ অনালে, তাতে তেওঁ তেওঁৰ পত্নী হৈ তেওঁলৈ এটি পুত্ৰ প্ৰসৱ
কৰিলে৷ কিন্তু দায়ূদে কৰা সেইকৰ্মত যিহোৱাই অসন্তুষ্ট হ’ল।

**১২** তাৰ পাছত যিহোৱাই দায়ূদৰ ওচৰলৈ নাথনক পঠিয়ালে। তেওঁ
দায়ূদৰ ওচৰলৈ আহি ক’লে, “এখন নগৰত দুজন মানুহ আছিল, এজন
ধনৱান আৰু আন জন দৰিদ্ৰ। ২ সেই ধনৱান জনৰ গৰু মেৰ আদিৰ
বহুত জাক আছিল; ৩ কিন্তু সেই দৰিদ্ৰ জনৰ এজনী সৰু চেঁউৰী
মেৰ পোৱালিৰ বাহিৰে আৰু একোৱেই নাছিল যিটোক তেওঁ কিনি
লৈ, খুৱাই-বোৱাই পুহি ৰাখিছিল৷ সেই মেৰ পোৱালিটি তেওঁৰ সৈতে
তেওঁৰ ল’ৰা-ছোৱালীৰ লগত থাকি ডাঙৰ হৈছিল৷ তাই তেওঁৰ খোৱা
বস্তুকে খাই, তেওঁৰ পাত্ৰতে পান কৰি তেওঁৰ বুকুতে শুইছিল আৰু তাই
তেওঁৰ এজনী জীয়েকৰ নিচিনা আছিল। ৪ এদিন সেই ধনৱান জনৰ
ঘৰলৈ এজন আলহী আহিল, কিন্তু নিজৰ ঘৰলৈ অহা সেই আলহীৰ
বাবে খাদ্য যোগাৰ কৰিবলৈ তেওঁ নিজৰ গৰু মেৰ আদিৰ জাকৰ পৰা
একো আনিবলৈ ইচ্ছা নকৰিলে৷ তাৰ সলনি তেওঁ দৰিদ্ৰজনৰ মেৰ
পোৱালিটিকে লৈ নিজৰ ওচৰলৈ অহা আলহীজনৰ বাবে ৰান্ধিলে। ৫
তাতে দায়ূদে সেই মানুহজনৰ বিৰুদ্ধে অতিশয় ক্ৰুদ্ধ হৈ নাথনক ক’লে,
“যিহোৱাৰ জীৱনৰ শপত, যি জন মানুহে সেই কাম কৰিলে, তেওঁ
মৃত্যু পোৱাৰ যোগ্য৷ ৬ কিয়নো দৰিদ্ৰ জনৰ প্ৰতি তেওঁৰ কোনো দয়াই
নাথাকিল, সেই কাৰণে যিহেতু তেওঁ এনে কাম কৰিলে, সেই মেৰ
পোৱালিৰ সলনি তেওঁ চাৰিগুণ ওভোটাই দিব লাগিব৷” ৭ তেতিয়া
নাথনে দায়ূদক ক’লে, “তুমিয়েই সেই মানুহজন! ইস্ৰায়েলৰ ঈশ্বৰ
যিহোৱাই এই কথা কৈছে, ‘ময়েই তোমাক ইস্ৰায়েলৰ ওপৰত ৰজা
অভিষেক কৰিলোঁ আৰু চৌলৰ হাতৰ পৰা তোমাক উদ্ধাৰ কৰিলোঁ।
৮ মই তোমাক তোমাৰ প্ৰভুৰ গৃহ আৰু প্ৰভুৰ পত্নীসকলক তোমাৰ

বাহুত দিলোঁ আৰু ইস্ৰায়েল ও যিহূদাৰ বংশ তোমাক দিলোঁ৷ যদি
সেয়ে অলপ হোৱা হ'লে, মই তোমাক আৰু অধিক বস্তু দিলোঁহেঁতেন।
৯ তেনেহলে তুমি কিয় যিহোৱাৰ বাক্য তুচ্ছ কৰি তেওঁৰ সাক্ষাতে
কু-আচৰণ কৰিলা? তুমি হিত্তীয়া ঊৰিয়াক তৰোৱালৰ দ্বাৰাই হত্যা
কৰিলা আৰু তেওঁৰ পত্নীক আনি নিজৰ পত্নী কৰি ৰাখিলা৷ অম্মোনৰ
সৈন্যসকলৰ তৰোৱালৰ দ্বাৰাই ঊৰিয়াক বধ কৰালা। ১০ এতেকে
তৰোৱালে কেতিয়াও তোমাৰ বংশক এৰা নিদিব; কিয়নো তুমি
মোক হেয়জ্ঞান কৰি হিত্তীয়া ঊৰিয়াৰ পত্নীক আনি নিজৰ পত্নী কৰি
ৰাখিলা।' ১১ যিহোৱাই এই কথা কৈছে, 'চোৱা, মই তোমাৰ নিজ
বংশৰ পৰা তোমাৰ বিৰুদ্ধে অমঙ্গল উৎপন্ন কৰিম আৰু তোমাৰ নিজ
চকুৰ আগতে তোমাৰ পত্নীসকলক লৈ তোমাৰ চুবুৰীয়াক দিম; তাতে
তেওঁলোকে সৌ সূৰ্যৰ সাক্ষাতে তোমাৰ পত্নীসকলৰ লগত শয়ন
কৰিব। ১২ কিয়নো তুমি গুপুতে এই কৰ্ম কৰিলা, কিন্তু মই হ'লে
সকলো ইস্ৰায়েলৰ আৰু সূৰ্যৰ সাক্ষাতে এই কৰ্ম কৰোৱাম'।" ১৩
তেতিয়া দায়ূদে নাথনক ক'লে, "মই যিহোৱাৰ বিৰুদ্ধে পাপ কৰিলোঁ।"
তাতে নাথনে দায়ূদক উত্তৰ দি ক'লে, "কিন্তু যিহোৱায় তোমাৰ পাপ
দূৰ কৰিলে৷ তোমাক আৰু বধ কৰা নহ'ব। ১৪ কিন্তু তুমি এই কৰ্মৰ
দ্বাৰাই, যিহোৱাৰ শত্ৰুবোৰে তেওঁক নিন্দা কৰিবলৈ তেওঁলোকক
অতি প্ৰশ্ৰয় দিলা, এই হেতুকে তোমাৰ ঔৰসত জন্মা ল'ৰাটি নিশ্চয়ে
মৰিব। ১৫ তেতিয়া নাথন নিজৰ ঘৰলৈ গুচি গ'ল। পাছত যিহোৱাই
ঊৰিয়াৰ ভাৰ্য্যাই জন্ম দিয়া দায়ূদৰ পুত্ৰটিক আঘাত কৰিলে, তাতে সি
অতিশয় নৰিয়াত পৰিল। ১৬ তেতিয়া দায়ূদে ল'ৰাৰ বাবে যিহোৱাৰ
আগত কাবৌ-কাকূতি কৰি প্ৰাৰ্থনা কৰিলে৷ লঘোন দিলে আৰু ভিতৰত
সোমাই ওৰে ৰাতি মাটিত পৰি থাকিল। ১৭ তেতিয়া তেওঁৰ ঘৰৰ বৃদ্ধ
লোকসকলে উঠি তেওঁক মাটিৰ পৰা তুলিবলৈ তেওঁৰ কাষত থিয় হ'ল;
কিন্তু তেওঁ উঠিবলৈ সন্মত নহ'ল আৰু তেওঁলোকে সৈতে ভোজনো
নকৰিলে। ১৮ পাছত সপ্তম দিনা ল'ৰাটিৰ মৃত্যু হ'ল। তাতে ল'ৰাটিৰ
মৃত্যু হোৱাৰ কথা দায়ূদৰ আগত ক'বলৈ তেওঁৰ দাসবোৰে ভয়
কৰিলে, কিয়নো তেওঁলোকে ক'লে, "চোৱা! ল'ৰাটি জীয়াই থাকোঁতে

আমি তেওঁৰ লগত অনেক কথা কোৱাতো, তেওঁ আমাৰ কথাবোৰ শুনা
নাপালে৷ এতিয়া ল'ৰাটিৰ মৃত্যু হ'ল বুলি কেনেকৈ তেওঁক ক'ম? আৰু
যদি কওঁ, তেন্তে তেওঁ নিজকে নিজে কিবা অপকাৰ কৰিব নেকি?"
১৯ কিন্তু দাসবোৰে ইটোৱে সিটোৱে ফুচ-ফুচাই কথা পাতি থকা
দেখি, ল'ৰাটিৰ মৃত্যু হ'ল বুলি দায়ূদে বুজি পালে৷ তেওঁ দাসবোৰক
সুধিলে, "ল'ৰাটিৰ মৃত্যু হ'ল নেকি?" তাতে তেওঁলোকে ক'লে, "হয়,
ল'ৰাটি ঢুকাল।" ২০ তেতিয়া দায়ূদে মাটিৰ পৰা উঠি গা ধুলে, গাত
তেল ঘঁহিলে আৰু কাপোৰ সলাই যিহোৱাৰ গৃহলৈ গ'ল অাৰু তাতে
তেওঁৰ আৰাধনা কৰিলে, তাৰ পাছত তেওঁ নিজৰ গৃহলৈ গ'ল৷ যেতিয়া
তেওঁ আজ্ঞা দিলে, তেওঁলোকে তেওঁৰ আগত আহাৰ দিলে আৰু তেওঁ
ভোজন কৰিলে। ২১ তেতিয়া তেওঁৰ দাসবোৰে তেওঁক ক'লে, "আপুনি
এনে ব্যৱহাৰ কিয় কৰিছে? ল'ৰাটি জীয়াই থাকোঁতে আপুনি তাৰ
বাবে লঘোন দি ক্রন্দন কৰিছিল, কিন্তু এতিয়া ল'ৰাটিৰ মৃত্যু হোৱাত
আপুনি উঠি ভোজন কৰিলে?" ২২ তাতে তেওঁ ক'লে, "ল'ৰাটি জীয়াই
থাকোঁতে মই লঘোন দি ক্রন্দন কৰিছিলোঁ, কাৰণ মই ভাবিছিলোঁ,
কোনে জানে, যে ল'ৰাটি জীয়াই থাকিবৰ কাৰণে কিজানি যিহোৱাই
মোলৈ কৃপা কৰিব! ২৩ কিন্তু সি এতিয়া মৰিল, এই হেতুকে মই কি
কাৰণে লঘোন দিম? মই জানো তাক ওভোটাই আনিব পাৰিম? মই
তাৰ ওচৰলৈ যাম, কিন্তু সি মোৰ ওচৰলৈ আৰু উভটি নাহিব।" ২৪
পাছে দায়ূদে নিজ পত্নী বৎচেবাক সান্ত্বনা দিলে আৰু তাইৰ ওচৰলৈ
গৈ শয়ন কৰিলে৷ তাতে তাই এটি পুত্ৰ প্ৰসৱ কৰিলে আৰু সন্তানটিৰ
নাম চলোমন ৰাখিলে। যিহোৱাই তাক প্ৰেম কৰিলে, ২৫ গতিকে
তেওঁ নাথন ভাববাদীক পঠিয়াই যিহোৱাৰ কাৰণে তাৰ নাম যিদীদীয়া
ৰখালে। ২৬ তেতিয়া যোৱাবে অম্মোনৰ সন্তান সকলৰ ৰব্বা নগৰৰ
বিৰুদ্ধে যুদ্ধ কৰি ইয়াৰ দুৰ্গ অধিকাৰ কৰি ল'লে। ২৭ তেতিয়া যোৱাবে
দায়ূদৰ ওচৰলৈ দূত পঠিয়াই কোৱালে বোলে, "মই ৰব্বাৰ বিৰুদ্ধে যুদ্ধ
কৰি পানী যোগান ধৰা ঠাইখন আটক কৰিলোঁ; ২৮ এতিয়া আপুনি
অৱশিষ্ট সৈন্যসকলক গোটাই লৈ নগৰৰ বিৰুদ্ধে ছাউনি পাতি তাক
লওঁকহি, নহ'লে মই হাত কৰি ল'লে, নগৰখন মোৰ নামেৰে প্ৰখ্যাত

হ'ব।" ২৯ তাতে দায়ূদে আটাই সৈন্যক গোটাই ৰব্বালৈ গৈ তাৰ
বিৰুদ্ধে যুদ্ধ কৰি তাক ল'লে। ৩০ আৰু তেওঁ তেওঁলোকৰ ৰজাৰ মূৰৰ
পৰা ৰাজমুকুটটি ল'লে; তাৰ সোণৰ পৰিমান এক কিক্কৰ আছিল
আৰু তাত অনেক বহুমূল্য মণি আছিল৷ ৰাজমুকুটটি দায়ূদৰ মুৰত
দিয়া হ'ল। তেওঁ সেই নগৰৰ পৰা অধিক লুটদ্ৰব্য উলিয়াই আনিলে।
৩১ দায়ূদে সেই নগৰৰ ভিতৰত থকা লোকসকলক বাহিৰলৈ আনি
তেওঁলোকক কৰত, লোহাৰ মৈ ও কুঠাৰেৰে কাম কৰিবলৈ বাধ্য
কৰালে; আৰু তেওঁ তেওঁলোকক ইটা পোৰা ভাতীৰ কামতো লগুৱালে৷
তেওঁ অম্মোনৰ আটাই নগৰত থকা লোকসকলক এইদৰে কামত
লগালে। তাৰ পাছত দায়ুদ আৰু তেওঁৰ সকলো সৈন্য যিৰূচালেমলৈ
উভটি আহিল।

**১৩** তাৰ পাছত এনেকুৱা ঘটনা হ'ল, যে, দায়ূদৰ পুত্ৰ অবচালোমৰ
তামাৰ নামেৰে এজনী শুৱনি ভনীয়েক আছিল। আৰু দায়ূদৰ পুত্ৰ
অম্নোন তাইলৈ কামাসক্ত হ'ল; ২ অম্নোনে মনতে এনে দুখ পালে,
যে, সি নিজ ভনীয়েক তামাৰৰ কাৰণে নৰিয়া পৰিল৷ তাই কুমাৰী
আছিল, আৰু সেই কাৰণে অম্নোনে তাইলৈ কিবা কৰিবলৈ দুসাধ্য
বুলি ভাবিলে। ৩ দায়ূদৰ ককায়েক চিমিয়াৰ পুত্ৰ যোনাদবৰ নামেৰে
অম্নোনৰ এজন বন্ধু আছিল৷ যোনাদব এজন বৰ চতুৰ লোক আছিল।
৪ সি অম্নোনক সুধিলে, হে ৰাজপুত্ৰ তুমি প্ৰতি দিনে এনেকৈ নিৰুৎসাহ
হৈছা কিয়? সেই বিষয়ে মোক নোকোৱানে? তেতিয়া অম্নোনে তাক
উত্তৰ দি ক'লে, "মোৰ ককাই অবচালোমৰ ভনীয়েক তামাৰলৈ মই
প্ৰেমাসক্ত হৈছোঁ।" ৫ তেতিয়া যোনাদবে তাক ক'লে, "তুমি নিজৰ
খাটৰ ওপৰত শুই নৰিয়াৰ ভাও ধৰা৷ যেতিয়া তোমাৰ পিতৃয়ে তোমাক
চাবলৈ আহিব তেতিয়া তেওঁক ক'বা, 'অনুগ্ৰহ কৰি মোৰ ভনী তামাৰক
মোক আহাৰ দিবৰ বাবে মোৰ আগত পঠিয়াই দিয়ক আৰু মোৰ আগত
আহাৰ যুগুত কৰা দেখি যেন তাইৰ হাতে ভোজন কৰোঁ, এই কাৰণে
মোৰ ওচৰলৈ আহিবলৈ তাইক আজ্ঞা কৰক'।" ৬ তেতিয়া অম্নোনে
নৰিয়াৰ ভাও ধৰি পৰি থাকিল৷ তাতে ৰজাই তাক চাবলৈ আহোতে,
অম্নোনে ৰজাক ক'লে, "মই বিনয় কৰোঁ, মোৰ ভনী তামাৰক মোৰ

অসুস্থতাৰ বাবে মোৰ আগত যেন আহাৰ যোগাৰ কৰে আৰু মই তাইৰ
হাতে যেন ভোজন কৰোঁ এই কাৰণে মোৰ ওচৰলৈ আহিবলৈ তাইক
আজ্ঞা কৰক৷" ৭ তেতিয়া দায়ূদে তামাৰৰ ঘৰলৈ মানুহ পঠিয়াই
কোৱালে বোলে, "এতিয়া তুমি তোমাৰ ককাই অম্নোনৰ ঘৰলৈ গৈ,
তাৰ কাৰণে আহাৰ যুগুত কৰি দিয়া।" ৮ তাতে তামাৰ নিজ ককাই
অম্নোনে শুই থকা সেই ঘৰলৈ গ'ল৷ তামাৰে আটাগুড়ি লৈ খচি, তেওঁৰ
আগতে পিঠা বনালে। ৯ তাই তাৰ সৈতে লৈ গৈ, সেই পিঠা তেওঁক
দিলে কিন্তু তেওঁ খাবলৈ অমান্তি হ'ল৷ তেতিয়া অম্নোনে ক'লে, "মোৰ
ওচৰৰ পৰা সকলো লোকক বাহিৰলৈ যাবলৈ দিয়া৷" তাতে সকলোৱে
তেওঁৰ ওচৰৰ পৰা বাহিৰলৈ গ'ল। ১০ তেতিয়া অম্নোনে তামাৰক
ক'লে, "মই তোমাৰ হাতে ভোজন কৰিবৰ কাৰণে খোৱা বস্তুবোৰ
মোৰ কোঁঠালিলৈ আনা৷" তেতিয়া তামাৰে নিজ হাতে বনোৱা সেই
পিঠা লৈ ভিতৰ কোঁঠালিলৈ তেওঁৰ ককাই অম্নোনৰ ওচৰলৈ গ'ল।
১১ যেতিয়া তাই পিঠা লৈ তেওঁৰ ওচৰলৈ আনিলে, তেতিয়া অম্নোনে
তাইক ধৰি ক'লে, "হে মোৰ ভনী, আহা মোৰ লগত শয়ন কৰা।"
১২ তাতে তাই উত্তৰ দি ক'লে, "নহয়, নহয়, মোৰ ককাই, মোক
বলাৎকাৰ নকৰিবা কিয়নো ইস্রায়েলৰ মাজত এনে কৰ্ম কৰা অযুগুত৷
তুমি এনে মুৰ্খৰ কৰ্ম নকৰিবা! ১৩ মই কলৈ গৈ মোৰ মুখ ঢাকিম?
আৰু তুমিও ইস্রায়েলৰ মাজত এজন লজ্জাহীন মুৰ্খৰ নিচিনা হ'বা।
এই হেতুকে এতিয়া মই বিনয় কৰোঁ, তুমি ৰজাৰ আগত জনোৱা
কিয়নো তেওঁ মোক তোমালৈ বিয়া দিবলৈ অসন্মত নহ'ব।" ১৪ কিন্তু
অম্নোনে তাইৰ কথা শুনিবলৈ অসন্মত হ'ল আৰু নিজে তাইতকৈ বলী
হোৱা হেতুকে, তেওঁ তাইক বলেৰে ধৰি তাইৰ লগত শয়ন কৰিলে।
১৫ তাৰ পাছত অম্নোনে তাইক অতিশয় ঘিণ কৰিব ধৰিলে৷ তেওঁ যি
পৰিমানে তাইলৈ কামাসক্ত আছিল তাতকৈ অধিক পৰিমাণে তাইক
ঘিণ কৰিব ধৰিলে। এই হেতুকে অম্নোনে তাইক ক'লে, "উঠি গুচি
যোৱা।" ১৬ তাতে তাই তেওঁক ক'লে, "এনে নকৰিবা! কিয়নো তুমি
মোলৈ কৰা প্ৰথম দোষতকৈ, মোক বাহিৰ কৰি উলিয়াই খেদাতোহে
বেচিকৈ বেয়া!" কিন্তু অম্নোনে তাইৰ কথা নুশুনিলে৷ ১৭ তাৰ সলনি

তেওঁ নিজৰ দাসক মাতি ক'লে, "এইক মোৰ ওচৰৰ পৰা উলিয়াই নে
আৰু তাইৰ পাছত দুৱাৰৰ ডাং লগাই দে।" ১৮ তেতিয়া তেওঁৰ দাসে
তাইক বাহিৰ কৰি দি তাইৰ পাছত দুৱাৰৰ ডাং লগাই দিলে। সেই
কণ্যাৰ গাত দীঘল অলংকাৰপূৰ্ণ চোলা আছিল, কিয়নো বিয়া নিদিয়া
ৰাজকুমাৰীসকলে সেইৰূপ চোলা পিন্ধে। ১৯ তেতিয়া তামাৰে নিজৰ
মুৰত ছাঁই ল'লে, আৰু নিজৰ গাত থকা সেই দীঘল অলংকাৰপূৰ্ণ
চোলা ফালি মুৰত হাত দি চিঞৰি কান্দি কান্দি গুচি আহিল। ২০ তাৰ
পাছত তাইৰ ককায়েক অবচালোমে তাইক সুধিলে, "তোমাৰ ককাই
অম্নোন তোমাৰ লগত আছিল নেকি? কিন্তু এতিয়া হে মোৰ ভনী, মনে
মনে থাকা, সি তোমাৰ ককাই; এই কথাত বৰকৈ দুখ নকৰিবা।"
তেতিয়াৰে পৰা তামাৰ বিষাদ মনেৰে নিজ ককাই অবচালোমৰ ঘৰত
থাকিল। ২১ পাছে দায়ুদ ৰজাই এই সকলো কথা শুনি অতিশয় ক্রুদ্ধ
হ'ল। ২২ আৰু অবচালোমে অম্নোনক ভাল বেয়া একোকে নক'লে;
কিয়নো তেওঁৰ ভনীয়েক তামাৰক অম্নোনে বলাৎকাৰ কৰাৰ কাৰণে
অবচালোমে তাক ঘিণ কৰিলে। ২৩ সম্পূৰ্ণ দুবছৰৰ পাছত ইফ্ৰয়িমৰ
ওচৰত থকা বালহাচোৰত অবচালোমৰ লোকসকলে মেৰৰ নোম কটা
কাম কৰি আছিল৷ তাতে অবচালোমে আটাইকেইজন ৰাজকোঁৱৰক
নিমন্ত্ৰণ কৰিলে। ২৪ অবচালোমে ৰজাৰ ওচৰলৈ আহি ক'লে, "চাওঁক,
আপোনাৰ এই দাসৰ লগত মেৰৰ নোম কটা লোকসকল আছে৷ এই
কাৰণে মই বিনয় কৰোঁ, মহাৰাজ আৰু মহাৰাজৰ দাসবোৰ আপোনাৰ
এই দাসৰ লগত আহক।" ২৫ তাতে ৰজাই অবচালোমক ক'লে, "সেয়ে
নহয় বোপা, আমি সকলোৱে নাযাওঁ; গ'লে তোমাৰ অধিক ভাৰহে
হ'ব।" তথাপি তেওঁ বৰকৈ ধৰিলে; কিন্তু ৰজাই যাবলৈ মান্তি নহ'ল
যদিও তেওঁক আশীৰ্ব্বাদ কৰিলে। ২৬ তেতিয়া অবচালোমে ক'লে,
"যদি সেয়ে নহয়, তেন্তে মোৰ ভাই অম্নোনক আমাৰ লগত যাবলৈ
অনুমতি দিয়ক।" তেতিয়া ৰজাই তেওঁক ক'লে, "অম্নোন তোমাৰ লগত
কিয় যাব লাগে?" ২৭ অবচালোমে বৰকৈ ধৰাত ৰজাই অম্নোনক
আৰু সকলো ৰাজকোঁৱৰক তেওঁৰ লগত যাবলৈ অনুমতি দিলে। ২৮
অবচালোমে তেওঁৰ দাসবোৰক এই আজ্ঞা কৰিলে, বোলে, "ভালদৰে

শুন৷ অম্নোনৰ মন কোন সময়ত দ্ৰাক্ষাৰসত প্ৰফুল্লিত হয়, তহঁতে তাক
ভালকৈ চাবি আৰু যেতিয়া ‘অম্নোনক আঘাত কৰ’ বুলি মই তহঁতক
কম, তেতিয়া তাক বধ কৰিবি, ভয় নকৰিবি; মই তহঁতক জানো হুকুম
দিয়া নাই? সাহিয়াল হৈ বীৰত্ব দেখুওৱা।” ২৯ তেতিয়া অবচালোমৰ
দাসবোৰে তেওঁৰ আজ্ঞাৰ দৰে অম্নোনলৈ কৰিলে। তেতিয়া আন
আটাই ৰাজকোঁৱৰসকল উঠি, প্ৰতিজনে নিজ নিজ খছৰৰ পিঠিত উঠি
পলাল। ৩০ তেওঁলোক বাটত থাকোঁতেই দায়ূদলৈ এই বাতৰি আহিল,
বোলে, “অবচালোমে আটাইকেইজন ৰাজকোঁৱৰক বধ কৰিলে,
তেওঁলোকৰ এজনো অৱশিষ্ট নাই।” ৩১ তেতিয়া ৰজাই উঠি নিজৰ
কাপোৰ ফালি মাটিত দীঘল হৈ পৰিল; আৰু তেওঁৰ দাসবোৰেও নিজ
নিজ কাপোৰ ফালি ৰজাৰ ওচৰত থিয় হৈ ৰ’ল। ৩২ তেতিয়া দায়ূদৰ
ককায়েক চিমিয়াৰ পুত্ৰ সেই যোনাদবে মাত লগাই ক’লে, “সকলো
ৰাজকোঁৱৰ যে হত হ’ল, মোৰ প্ৰভুৱে এনে নাভাবক, কিয়নো কেৱল
অম্নোনৰহে মৃত্যু হৈছে। কাৰণ অবচালোমৰ ভনী তামাৰক বলাৎকাৰ
কৰা দিনৰে পৰা অবচালোমে ইয়াক থিৰ কৰিছিল। ৩৩ এতেকে
সকলো ৰাজকোঁৱৰ মৰাৰ কথা মোৰ প্ৰভু ৰজাই যেন নিজ মনত ঠাই
নিদিয়ে কিয়নো কেৱল অম্নোনহে মৰিছে।” ৩৪ কিন্তু ইয়াৰ ভিতৰতে
অবচালোম পলাল। পাছত ডেকা পৰিয়াই চকু তুলি চাই পৰ্বতৰ কাষৰ
পৰা নিজৰ পাছফালে থকা বাটেদি অনেক লোকক অহা দেখিলে।
৩৫ তাতে যোনাদবে ৰজাক ক’লে, “সৌৱা চাওঁক, ৰাজকোঁৱৰসকল
আহিছে; আপোনাৰ দাসৰ কথাৰ দৰে সেয়েই ঘটিল।” ৩৬ এই কথা
কোৱা মাত্ৰকে ৰাজকোঁৱৰসকল আহি পাই, চিঞৰি কান্দিবলৈ ধৰিলে৷
তাতে ৰজা আৰু তেওঁৰ আটাই দাসবোৰেও বৰকৈ কান্দিবলৈ ধৰিলে।
৩৭ কিন্তু অবচালোম পলাই গচুৰৰ ৰজা অম্মীহোৰৰ পুত্ৰ তল্ময়ৰ
ওচৰলৈ গ’ল। দায়ূদে প্ৰতিদিনে নিজৰ পুত্ৰৰ কাৰণে শোক কৰিলে।
৩৮ এইদৰে অবচালোম পলাই গচুৰলৈ গৈ, তাত তিনি বছৰ থাকিল।
৩৯ পাছত দায়ুদ ৰজাই অবচালোমৰ ওচৰলৈ যাবলৈ হাবিয়াহ কৰিলে
কিয়নো তেওঁ অম্নোনৰ মৃত্যু হোৱাত সেই বিষয়ে শান্ত্বনাপ্ৰাপ্ত হৈছিল।

১৪ পাছত চৰূয়াৰ পুত্ৰ যোৱাবে ৰজাৰ মন অবচালোমৰ প্ৰতি থকা
বুজি, ২ তকোৱালৈ মানুহ পঠাই, তাৰ পৰা এজনী বুদ্ধিয়ক মহিলা
অনাই তাইক ক'লে, “এতিয়া তুমি শোক কৰা ভাও ধৰা, শোক-বস্ত্ৰ
পিন্ধা আৰু গাত তেল নঘঁহিবা; কিন্তু মৃতলোকৰ বাবে বহুকাল শোক
কৰা মহিলা যেন হোৱা৷ ৩ তাৰ পাছত ৰজাৰ ওচৰলৈ গৈ, তেওঁক মই
কোৱা কথা এনেদৰে ক'বাগৈ৷” এই বুলি যোৱাবে, তাই ৰজাক ক'ব
লগীয়া কথাখিনি শিকাই দিলে। ৪ পাছত তকোৱাৰ মহিলা গৰাকীয়ে
ৰজাক কোৱা সময়ত, তাই তললৈ মুখ কৰি মাটিত পৰি প্ৰণিপাত কৰি
ক'লে, “হে মহাৰাজ, উপকাৰ কৰক।” ৫ ৰজাই সুধিলে, “তোমাৰ
কি হ'ল?” তাতে তাই ক'লে, “মই সঁচাকৈ এগৰাকী বিধৱা; মোৰ
স্বামী মৰিল। ৬ আৰু আপোনাৰ বেটীৰ দুটি পো আছিল আৰু সিহঁত
দুয়ো পথাৰত কাজিয়া কৰিছিল, তাতে সিহঁতক এৰুৱাবলৈ কোনো
নথকাত, এটাই আনটোত প্ৰহাৰ কৰি বধ কৰি পেলালে। ৭ এতিয়া
চাওঁক, গোটেই গোষ্ঠীয়ে আপোনাৰ বেটীৰ বিৰুদ্ধে উঠি কৈছে, 'তই
সেই ভ্ৰাতৃ-বধীটোক শোধাই দে; তাৰ বধ কৰা ভায়েকৰ প্ৰাণৰ সলনি
আমি তাৰ প্ৰাণ লমা' গতিকে তেওঁলোকে উত্তৰাধিকাৰিকো বিনষ্ট
কৰিব। এইদৰে সিহঁতে মোৰ বাকী থকা আঙ্গঠাটি নুমাই পৃথিৱীত
মোৰ স্বামীৰ নাম আদি একো নথকা কৰিব খুজিছে।” ৮ তেতিয়া
ৰজাই সেই মহিলাক ক'লে, “তুমি তোমাৰ ঘৰলৈ যোৱা, মই বাৰু
কি কৰিব পাৰোঁ, তোমাৰ কাৰণে এই বিষয়ে আজ্ঞা দিম।” ৯ পাছে
সেই তকোৱাৰ মহিলাই ৰজাক ক'লে, “হে মোৰ প্ৰভু, মহাৰাজ, মোৰ
আৰু মোৰ পিতৃ-বংশৰ ওপৰতেই এই দোষ পৰক৷ মহাৰাজ আৰু
নিজ সিংহাসন হ'লে নিৰ্দ্দোষী হওঁক।” ১০ তেতিয়া ৰজাই ক'লে,
“কোনোৱে যদি তোমাক কিবা কয়, তেন্তে তাক মোৰ আগলৈ আনিবা,
তাতে সি আৰু তোমাক নুচুব।” ১১ তেতিয়া সেই মহিলাই ক'লে, “মই
মিনতি কৰিছোঁ, প্ৰতিকাৰ সাধকক নষ্ট কৰিবলৈ নিদিবলৈ মহাৰাজে
নিজ ঈশ্বৰ যিহোৱাৰ নাম উচ্ছাৰণ কৰক; সেয়ে নহ'লে তেওঁলোকে
মোৰ ল'ৰাটিক বিনষ্ট কৰিব।” ৰজাই ক'লে, “জীৱন্ত যিহোৱাৰ শপত,
তোমাৰ ল'ৰাৰ এডালি চুলিও মাটিত নপৰিব।” ১২ তেতিয়া সেই

মই ক'লে, "মই বিনয় কৰোঁ, আপোনাৰ বেটীক মোৰ প্ৰভু মহাৰাজৰ
আগত এটি কথা ক'বলৈ দিয়ক।" তাতে ৰজাই ক'লে, "কোৱা।" ১৩
পাছে সেই মহিলাই ক'লে, "ঈশ্বৰৰ প্ৰজাৰ বিৰুদ্ধে আপুনি কিয় তেনে
কল্পনা কৰিছে? সেই কথা কোৱাতে মহাৰাজ দোষী লোক যেন হৈছে,
কাৰণ মহাৰাজে খেদি দিয়া পুত্ৰক ওভোটাই আনিব নোখোজে। ১৪
কিয়নো আমি অৱশ্যে মৰিম; আৰু আমি পুনৰায় জমা কৰিব নোৱাৰা
মাটিত পৰা পানীৰ নিচিনা হ'ম৷ ঈশ্বৰে প্ৰাণ নিনিয়ে, কিন্তু আপোনাৰ
পৰা দেশান্তৰ কৰা লোক যাতে দেশান্তৰিত হৈ নাথাকে, তাৰ উপায়
চিন্তা কৰে। ১৫ এতিয়া মই যে এই কথা মোৰ প্ৰভু মহাৰাজৰ আগত
ক'বলৈ আহিলোঁ, লোকসকলে মোক ভয় দেখুৱাৰ কাৰণেহে আহিলোঁ৷
তেতিয়া আপোনাৰ বেটীয়ে মনতে ভাবিলো যে, 'মই মহাৰাজৰ আগত
এই কথা জনাম, কিজানি মহাৰাজে নিজৰ বেটীৰ নিবেদন অনুসাৰে
কাৰ্য কৰিব। ১৬ কিয়নো যি জনে মোক আৰু মোৰ ল'ৰাটিক একেলগে
যিহোৱাৰ উত্তৰাধিকাৰৰ পৰা উচ্ছন্ন কৰিবলৈ খুজিছে, তেওঁৰ হাতৰ
পৰা নিজৰ বেটীক উদ্ধাৰ কৰিবলৈ মহাৰাজে মোৰ কথা শুনিব।' ১৭
তেতিয়া আপোনাৰ দাসীয়ে প্ৰাৰ্থনা কৰিলে বোলে, 'হে যিহোৱা, মোৰ
প্ৰভু মহাৰাজৰ বাক্য মোলৈ যেন অৱশ্যে শান্ত্বনাদায়ক হয়, কিয়নো
ভাল-বেয়া বিবেচনা কৰাত মোৰ প্ৰভু মহাৰাজ ঈশ্বৰৰ দূতৰ তুল্য।'
আপোনাৰ ঈশ্বৰ যিহোৱা যেন আপোনাৰ লগত থাকক।" ১৮ তেতিয়া
ৰজাই উত্তৰ দি সেই মহিলা গৰাকীক ক'লে, "মই বিনয় কৰোঁ, তোমাক
মই যি সোধো, সেই বিষয়ে যেন একোকে মোৰ পৰা গুপুতে নাৰাখা।"
তাতে তাই ক'লে, "হে মোৰ প্ৰভু মহাৰাজ, এতিয়া কওঁক।" ১৯ ৰজাই
ক'লে, "তোমাৰ এই সকলো কথাত যোৱাবৰ জানো হাত নাই?"
তাতে সেই মহিলা গৰাকীয়ে উত্তৰ দি ক'লে, "হে মোৰ প্ৰভু মহাৰাজ,
আপোনাৰ জীৱনৰ শপত, মোৰ প্ৰভু মহাৰাজে কোৱা কথাৰ পৰা সোঁ
কি বাওঁফালে ঘূৰিবৰ কাৰো সাধ্য নাই৷ আপোনাৰ দাস যোৱাবেই
মোক আদেশ কৰিলে আৰু মই যি কথা ক'লোঁ, এই সকলো কথা
আপোনাৰ বেটীক কবলৈ দিলে। ২০ যি যি ঘটি আছে তাৰ পৰিৱৰ্ত্তন
কৰিবলৈহে আপোনাৰ দাস যোৱাবে এই কাৰ্য কৰিলে৷ পৃথিৱীত থকা

সকলো বিষয় জানিবলৈ, মোৰ প্ৰভু, আপুনি ঈশ্বৰৰ দূতৰ নিচিনা
জ্ঞানী।” ২১ তাৰ পাছত ৰজাই যোৱাবক ক’লে, “এতিয়া চোৱা, মই
এনে কৰ্ম কৰিম৷ এই হেতুকে যোৱা, সেই ডেকা অবচালোমক পুনৰায়
আনাগৈ।” ২২ তাতে যোৱাবে মাটিত উবুৰি হৈ ৰজাক প্ৰণিপাত কৰিলে
আৰু তেওঁক ধন্যবাদ জনালে৷ তেওঁ ৰজাক ক’লে, “হে মোৰ প্ৰভু
মহাৰাজ, আপুনি আপোনাৰ দাসৰ নিবেদন অনুসাৰে যে কাৰ্য কৰিলে
আৰু মই যে আপোনাৰ দৃষ্টিত অনুগ্ৰহ পাইছোঁ, সেই বিষয়ে আজি
আপোনাৰ এই দাসে জানিলে।” ২৩ তাৰ পাছত যোৱাব উঠি গচুৰলৈ
গৈ অবচালোমক যিৰূচালেমলৈ আনিলে। ২৪ তেতিয়া ৰজাই ক’লে,
সি নিজ ঘৰলৈ ঘূৰি আহিব পাৰে কিন্তু মোৰ মুখ হ’লে সি দেখিবলৈ
নাপাওঁক। তেতিয়া অবচালোমে নিজৰ ঘৰলৈ ঘূৰি গ’ল কিন্তু ৰজাৰ
মুখ দেখিবলৈ নাপালে। ২৫ সেই সময়ত গোটেই ইস্ৰায়েলৰ মাজত
অবচালোমতকৈ সৌন্দৰ্য্যৰ কথাত প্ৰশংসনীয় তেনে কোনো পুৰুষ
নাছিল৷ তেওঁৰ ভৰিৰ তলুৱাৰ পৰা মূৰৰ তালুলৈকে তেওঁত একো ঘূণ
নাছিল। ২৬ যেতিয়া তেওঁৰ মুৰৰ চুলি অতি গধুৰ হয় তেতিয়া প্ৰত্যেক
বছৰৰ শেষত নিজৰ মূৰৰ চুলি কাটি পেলায় আৰু তেওঁ তেওঁৰ সেই
কটা চুলি জোখে যাৰ ৰাজ পৰিমাণ অনুসাৰে প্ৰায় দুশ চেকলমান হয়।
২৭ অবচালোমৰ তিনটা পুত্ৰ আৰু তামাৰ নামেৰে এজনী জীয়েক জন্মো
সেই ছোৱালীজনী বৰ শুৱনী আছিল। ২৮ পাছত অবচালোমে ৰজাৰ
মুখ নেদেখি সম্পূৰ্ণ দুবছৰ যিৰূচালেমত নিবাস কৰিলে৷ ২৯ তাৰ পাছত
অবচালোমে নিজকে ৰজাৰ ওচৰলৈ পঠিয়াবৰ কাৰণে যোৱাবক সেই
কথা জনালে, কিন্তু যোৱাব তেওঁৰ ওচৰলৈ আহিবলৈ সন্মত নহ’ল।
সেই বাবে তেওঁ দ্বিতীয়বাৰ মানুহ পঠালে কিন্তু তেতিয়াও যোৱাব
আহিবলৈ মান্তি নহ’ল৷ ৩০ তেতিয়া অবচালোমে নিজৰ দাসবোৰক
ক’লে, “চোৱা, মোৰ মাটিৰ ওচৰতে যোৱাবৰ এখন শস্যক্ষেত্ৰ আছে
আৰু তাত তেওঁৰ যৱধান আছে৷ তোমালোকে সেই ঠাইত গৈ তাত
জুই লগাই দিয়া।” তাতে অবচালোমৰ দাসবোৰে সেই খেতিত জুই
লগাই দিলে। ৩১ তেতিয়া যোৱাবে উঠি অবচালোমৰ ঘৰলৈ তেওঁৰ
ওচৰলৈ আহি তেওঁক ক’লে, “তোমাৰ দাসবোৰে মোৰ খেতিত কিয়

জুই লগাই দিলে?” ৩২ তেতিয়া অবচালোমে যোৱাবক ক’লে, “চোৱা,
মই তোমাক খবৰ পঠিয়াইছিলো বোলে, ‘তুমি মোৰ ওচৰলৈ আহা
যাতে মই তোমাক ৰজাৰ ওচৰলৈ ক’বলৈ পঠিয়াম যে, “মই গচুৰৰ
পৰা কেলেই আহিলোঁ? এতিয়ালৈকে তাত থকা হ’লে মোৰ ভাল
আছিল৷ এতিয়া এই হেতুকে মোক ৰজাৰ মুখ দেখিবলৈ দিয়ক আৰু
যদি মোত কিবা অপৰাধ আছে তেতিয়া হ’লে তেওঁ যেন মোক বধ
কৰক৷”’” ৩৩ তেতিয়া যোৱাবে ৰজাৰ আগলৈ গৈ তেওঁক সেই কথা
জনালে৷ যেতিয়া ৰজাই অবচালোমক মতাই আনিলে, তেতিয়া তেওঁ
ৰজাৰ আগলৈ গৈ তললৈ মাটিত মূৰ দোঁৱাই ৰজাৰ আগত প্ৰণিপাত
কৰিলে আৰু তেতিয়া ৰজাই অবচালোমক চুমা খালে।

**১৫** সেই সময়ৰ পাছত অবচালোমে নিজৰ বাবে এখন ৰথ,
কেইটামান ঘোঁৰা আৰু নিজৰ আগে আগে লৰি যাবৰ বাবে পঞ্চাশ জন
মানুহ যুগুত কৰি ল’লে। ২ অবচালোমে ৰাতিপুৱাতে উঠি, নগৰৰ
দুৱাৰ বাটৰ কাষত থিয় দি থাকে৷ তেতিয়া যদি বিচাৰৰ অৰ্থে ৰজাৰ
ওচৰলৈ আহিব লগা কোনো মানুহৰ গোচৰ থাকে, অবচালোমে তেওঁক
মাতি সোধে, “তুমি কোন নগৰৰ পৰা আহিছা?” তাতে সেই লোকজনে
উত্তৰ দি কয় বোলে, “আপোনাৰ এই দাস ইস্ৰায়েলৰ ফৈদৰ মাজৰ
এজন৷” ৩ তেতিয়া অবচালোমে তেওঁক কয়, “চোৱা, তোমাৰ গোচৰৰ
কথা ভাল আৰু ন্যায়, কিন্তু তোমাৰ কথা শুনিবলৈ ৰজাৰ নিযুক্ত
কৰা লোক কোনো নাই।” ৪ অবচালোমে আৰু কয়, “মোৰ ইচ্ছা
এয়ে যে যদি মোক দেশৰ বিচাৰকৰ্ত্তা পতা হ’লে, কোনো বিবাদ
বা গোচৰ থকা প্ৰতিজন ব্যক্তিয়ে মোৰ ওচৰলৈ আহিলহেঁতেন আৰু
মই তেওঁলৈ ন্যায় বিচাৰ কৰিলোঁহেঁতেন।” ৫ পাছত এনে ঘটে যে
কোনো এজন লোক যেতিয়া তেওঁক শ্ৰদ্ধা জনাবলৈ তেওঁৰ ওচৰলৈ
আহে, সেই লোকজনক তেওঁ হাত মেলি ধৰে আৰু চুমা খায়। ৬
ইস্ৰায়েলৰ যি সকলো লোক ৰজাৰ ওচৰলৈ বিচাৰৰ অৰ্থে আহে,
সেই সকলোকে অবচালোমে সেইৰূপেই ব্যৱহাৰ কৰে। এইদৰেই
অবচালোমে ইস্ৰায়েল লোকসকলৰ মন তেওঁৰ ফাললৈ নিলে। ৭
তাৰ পাছত চাৰি বছৰৰ শেষত, অবচালোমে ৰজাক ক’লে, “মই

আপোনাক বিনয় কৰিছোঁ, মই যিহোৱালৈ যি এটা সঙ্কল্প কৰিলোঁ
তাক হিব্ৰোণত পালন কৰিবৰ বাবে মোক যাবলৈ অনুমতি দিয়ক। ৮
কিয়নো আপোনাৰ দাস মই যেতিয়া অৰাম দেশৰ গচুৰত প্ৰবাস কৰি
আছিলোঁ, তেতিয়া মই এই সঙ্কল্প কৰি কৈছিলোঁ, ‘যদি যিহোৱাই
মোক নিশ্চয়ে যিৰূচালেমলৈ ওভোটাই নিয়ে, তেতিয়া মই যিহোৱাক
সেৱাভক্তি কৰিম।’” ৯ তাতে ৰজাই ক’লে, “শান্তিৰে যোৱা।” তেতিয়া
অবচালোম উঠি হিব্ৰোণলৈ গ’ল। ১০ কিন্তু অবচালোমে ইস্ৰায়েলৰ
আটাই ফৈদৰ ওচৰলৈ চোৰাং-চোৰাৰ দ্বাৰাই কৈ পঠালে, বোলে,
“শিঙাৰ শব্দ শুনামাত্ৰে তোমালোকে ক’বা, ‘অবচালোম হিব্ৰোণত
ৰজা হ’ল।’” ১১ আৰু অবচালোমৰ লগত যিৰূচালেমৰ পৰা দুশ
নিমন্ত্ৰিত লোক গৈছিল। ১২ পাছে অবচালোমে বলি দান কৰা সময়ত
মানুহ পঠাই দায়ূদৰ মন্ত্ৰী গিলোনীয়া অহীথোফলক তেওঁৰ নগৰ
গিলোৰ পৰা মতাই আনিলে৷ এইদৰে অবচালোমৰ চক্ৰান্ত মজবুত হৈ
উঠিল, কাৰণ অবচালোমৰ পক্ষৰ লোক ক্ৰমে ক্ৰমে বাঢ়ি গ’ল। ১৩
পাছত এজন দূতে দায়ূদৰ ওচৰলৈ আহি এই সম্বাদ দিলে, বোলে,
“ইস্ৰায়েল লোকসকলৰ মন অবচালোমৰ পক্ষ হ’ল।” ১৪ তাতে দায়ূদে
যিৰূচালেমত নিজৰ লগত থকা সকলো দাসবোৰক ক’লে, “আহা আমি
ওলাই পলাওঁহ’ক; নহ’লে অবচালোমৰ হাতৰ পৰা আমি এজনো
সাৰিব নোৱাৰিম। এতেকে শীঘ্ৰে যাবলৈ যুগুত হোৱা, নহ’লে সি
বেগাই আমাৰ লগ ধৰিব আৰু আমাৰ ওপৰত অমঙ্গল ঘটাব আৰু
তৰোৱালৰ ধাৰেৰে নগৰৰ লোকক আঘাত কৰিব।” ১৫ তাতে, ৰজাৰ
দাসবোৰে ৰজাক ক’লে, “চাওঁক, আমাৰ প্ৰভু মহাৰাজে যি কৰিবলৈ
মন কৰিছে তাক কৰিবলৈ আপোনাৰ দাসবোৰ যুগুত হৈ আছে।” ১৬
পাছে ৰজা ওলাই গ’ল, আৰু তেওঁৰ সকলো পৰিয়াল তেওঁৰ পাছে
পাছে গ’ল; কিন্তু ৰাজগৃহ প্ৰতিপাল কৰিবৰ বাবে ৰজাই দহজনী
উপপত্নী এৰি থৈ গ’ল। ১৭ পাছত ৰজা আৰু তেওঁৰ পাছত যোৱা
সকলো মানুহ ওলাই গৈ বৈৎ-মিৰ্হকত ৰ’ল। ১৮ তেওঁৰ দাসবোৰ
তেওঁৰ লগে লগে কুচকাৱাজ কৰি খোজ কাঢ়ি গ’ল আৰু সকলো
কৰেথীয়া, পেলেথীয়া আৰু সকলো গাতীয়া লোক অৰ্থাৎ ছশ লোক

তেওঁৰ পাছে পাছে গাতৰ পৰা অহা ৰজাৰ আগে আগে গ'ল। ১৯
তেতিয়া ৰজাই গাতীয়া ইত্তয়ক ক'লে, "তুমি আমাৰ লগত কিয়
আহিছা? তুমি উভটি গৈ অবচালোম ৰজাৰ লগত থাকা কিয়নো তুমি
বিদেশী আৰু এজন দেশান্তৰিত লোক৷ তোমাৰ নিজ ঠাইলৈ উভটি
যোৱা। ২০ যিহেতু তুমি যোৱা কালি মাথোন আহিলা, কিয় মই তোমাক
আমাৰ লগত লৈ সকলোফালে ঘূৰাই ফুৰাম? মই নিজেই নাজানো
যে মই ক'লৈ গৈ আছোঁ৷ সেই কাৰণে তুমি তোমাৰ লোকসকলক
লৈ ঘূৰি যোৱা৷ তোমাৰ লগত দয়া আৰু সত্য থাকক।" ২১ কিন্তু
ইত্তয়ে ৰজাক উত্তৰ দি ক'লে, "জীৱন্ত যিহোৱাৰ শপত আৰু মোৰ প্ৰভু
মহাৰাজৰ জীৱনৰ শপত, মৰিবৰ বা জীয়াই থকাৰ অৰ্থেই হওঁক, মোৰ
প্ৰভু মহাৰাজ যি ঠাইলৈ যাব, আপোনাৰ এই দাসো সেই ঠাইলৈকে
যাব।" ২২ সেই বাবে দায়ূদে ইত্তয়ক ক'লে, "তেন্তে তুমি আমাৰ
লগত আগবাঢ়ি গৈ পাৰ হোৱা।" তেতিয়া গাতীয়া ইত্তয় ও তেওঁৰ
সমূদায় লোক আৰু তেওঁলোকৰ লগত অহা সকলো পৰিয়াল ৰজাৰ
সৈতে গ'ল। ২৩ সকলো লোকে কিদ্ৰোণ উপত্যকা পাৰ হৈ যাওঁতে,
গোটেই দেশখনে বৰকৈ ক্ৰন্দন কৰিলে আৰু ৰজাই নিজেও পাৰ
হ'ল৷ এইদৰে সকলো লোক বাটত যাত্ৰা কৰি কৰি মৰুপ্ৰান্তৰ দিশে
গ'ল। ২৪ আনকি চাদোকো তেওঁৰ লগত লেবীয়া লোকসকল ঈশ্বৰৰ
নিয়ম-চন্দুকটি বৈ লৈ উপস্থিত হ'ল৷ তেওঁলোকে যিহোৱাৰ নিয়ম-
চন্দুকটি নমাই ৰাখিলে আৰু তেতিয়া অবিয়াথৰ তেওঁলোকৰ লগত
লগ দিলে৷ তেওঁলোকে এনে কৰাৰ আগে লোকসকল নগৰৰ পৰা
একেবাৰে ওলাই নহালৈক ৰখি থাকিল৷ ২৫ ৰজাই চাদোকক ক'লে,
"তুমি ঈশ্বৰৰ নিয়ম-চন্দুকটি পুনৰাই নগৰলৈ ঘূৰাই লৈ যোৱা। যদি
যিহোৱাৰ দৃষ্টিত মই অনুগ্ৰহ পাওঁ, তেনেহ'লে তেওঁ পুনৰাই মোক
ঘূৰাই আনিব আৰু তাক ও তেওঁৰ বাসস্থান মোক দেখুৱাব৷ ২৬ কিন্তু
যদি তেওঁ এইদৰে কয়, 'তোমাত মোৰ একো সন্তোষ নাই,' তেন্তে
চোৱা, মই ইয়াত আছোঁ আৰু তেওঁ দৃষ্টিত যি ভাল, মোলৈ তেওঁ তাকেই
কৰক।" ২৭ ৰজাই চাদোক পুৰোহিতক ইয়াকো ক'লে, "তুমি এজন
দৰ্শক নহয় নে? তুমি তোমাৰ পুত্ৰ অহীমাচ আৰু অবিয়াথৰৰ পুত্ৰ

যোনাথন, তোমালোকৰ এই দুই পুত্ৰক লগত লৈ, শান্তিৰে নগৰলৈ
ঘূৰি যোৱা। ২৮ আৰু চাবা তোমালোকৰ ওচৰৰ পৰা মোলৈ ঠিক খবৰ
নহামানে, মই পাৰ-ঘাটত বাট চাই থাকিম।" ২৯ এতেকে চাদোক
আৰু অবিয়াথৰে ঈশ্বৰৰ নিয়ম-চন্দুকটি আকৌ যিৰূচালেমলৈ লৈ গৈ,
তেওঁলোক সেই ঠাইতে থাকিল। ৩০ পাছত দায়ুদ জৈতুন পৰ্বতলৈ উঠি
যোৱা বাটেদি খালি ভৰিৰে উঠি গ'ল৷ তেওঁ ওপৰলৈ উঠি যাওঁতে কান্দি
কান্দি গ'ল আৰু তেওঁৰ মূৰ ঢকা আছিল৷ তেওঁৰ লগৰ লোকসকলে
প্ৰতিজনেও নিজ নিজ মূৰ ঢাকিলে আৰু ওপৰলৈ উঠি যাওঁতে কান্দি
কান্দি গ'ল। ৩১ তেতিয়া কোনো এজনে দায়ূদক ক'লে, "অবচালোমৰ
লগত চক্ৰান্তকাৰীবোৰৰ মাজত অহীথোফলো আছে।" তাতে দায়ূদে
প্ৰাৰ্থনা কৰি ক'লে, 'হে যিহোৱা, মই বিনয় কৰোঁ, অহীথোফলৰ মন্ত্ৰণা
মূৰ্খৰ মন্ত্ৰণা কৰক।' ৩২ পাছত দায়ূদে যেতিয়া পৰ্বতৰ সেই টিং পালে,
যি ঠাইত লোকসকলে যিহোৱাৰ আৰাধনা কৰে, তেতিয়া অৰ্কীয়া হূচয়ে
নিজৰ কাপোৰ ফালি মূৰত মাটি লৈ দায়ূদৰ লগ ধৰিবলৈ আহিল। ৩৩
দায়ূদে তেওঁক ক'লে, "তুমি যদি মোৰ লগত যোৱা তেন্তে তুমি মোলৈ
ভাৰহে হ'বা। ৩৪ কিন্তু যদি তুমি নগৰলৈ ঘূৰি গৈ অবচালোমক কোৱা
যে 'হে মহাৰাজ, মই আপোনাৰ দাস হম, আগেয়ে যেনেকৈ আপোনাৰ
পিতৃৰ দাস আছিলোঁ, তেনেকৈ আপোনাৰো দাস হম,' তেন্তে মোৰ
বাবে তুমি অহীথোফলৰ মন্ত্ৰণা ব্যৰ্থ কৰিব পাৰিবা। ৩৫ সেই ঠাইতে
চাদোক আৰু অবিয়াথৰ পুৰোহিত জানো তোমাৰ লগত নাথাকিব
নে? এই হেতুকে তুমি ৰাজগৃহত যি যি কথা শুনিবা সেই সকলো কথা
চাদোক আৰু অবিয়াথৰ পুৰোহিতক ক'বা। ৩৬ চাবা, যেন সেই ঠাইত
তেওঁলোকৰ লগত তেওঁলোকৰ দুজন পুত্ৰক, চাদোকৰ পুত্ৰক অহীমাচ
আৰু অবিয়াথৰৰ পুত্ৰক যোনাথন আছে৷ তোমালোকে যি যি কথা
শুনিবা, তেওঁলোকৰ দ্বাৰাই মোৰ গুৰিলৈ সেই সকলো বাতৰি পঠাই
দিবা।" ৩৭ তেতিয়া দায়ূদৰ বন্ধু হূচয় নগৰলৈ গ'ল আৰু তেতিয়া
অবচালোমো যিৰূচালেমত সোমাল।

**১৬** যেতিয়া দায়ূদে পৰ্ব্বতৰ টিঙত পাছ পেলাই অলপ আগ হ'ল,
তেতিয়া চোৱা, মফিবোচতৰ দাস চীবাই সজোৱা দুটা গাধ লগত

লৈ গৈ তেওঁৰ গুৰিত উপস্থিত হ’ল; সেই গাধৰ ওপৰত দুশ পিঠা,
এশ থোপা শুকান দ্ৰাক্ষা গুটি, এশ লদা খেজুৰ গুটি আৰু এক মোট
দ্ৰাক্ষাৰস আছিল। ২ পাছে ৰজাই চীবাক সুধিলে, “তুমি এইবোৰ
অনাৰ অভিপ্ৰায় কি?” তাতে চীবাই ক’লে, “এই গাধ দুটা ৰজাৰ
পৰিয়াল উঠি যাবৰ বাবে, এই পিঠা আৰু খেজুৰ গুটি ডেকাসকলৰ
আহাৰৰ বাবে আৰু দ্ৰাক্ষাৰস অৰণ্যত ক্লান্ত হোৱা লোকসকলে পান
কৰিবৰ বাবে।” ৩ পাছে ৰজাই ক’লে, “তোমাৰ প্ৰভুৰ নাতি ল’ৰাটি
ক’ত?” তাতে চীবাই ৰজাক ক’লে, “চাওক, তেওঁ যিৰূচালেমত আছে;
কিয়নো তেওঁ ক’লে, ‘ইস্ৰায়েল বংশই আজি মোৰ পৈতৃক ৰাজ্য মোক
ওলোটাই দিব।’” ৪ তাতে ৰজাই চীবাক ক’লে, “চোৱা, মফিবোচতৰ
সৰ্ব্বস্ব তোমাৰেই।” চীবোই ক’লে, “হে মোৰ প্ৰভু মহাৰাজ, মই
প্ৰণিপাত কৰিছোঁ৷ বিনয় কৰোঁ, মোক আপোনাৰ দৃষ্টিত অনুগ্ৰহপ্ৰাপ্ত
কৰক।” ৫ যেতিয়া দায়ুদ ৰজাই বহূৰীম পালে, চৌলৰ বংশৰ ভিতৰৰ
গেৰাৰ পুতেক চিমিয়ী নামেৰে এটা মানুহ তাৰ পৰা ওলাল; সি
ওলাই যাওঁতে যাওঁতে শাও দি দি গ’ল। ৬ সি দায়ূদলৈ আৰু দায়ুদ
ৰজাৰ সকলো দাসলৈ শিল দলিয়ালে; যদিওঁবা সকলো লোক আৰু
সকলো বীৰ তেওঁৰ সোঁ আৰু বাওঁ ফালে আছিল। ৭ চিমিয়ীয়ে শাও
দি দি কৈছিল, “হেৰৌ ৰক্তপাতি পাষণ্ড, যা, গুচি যা! ৮ তই যাৰ
পদত ৰজা হ’লি, সেই চৌলৰ বংশৰ সকলো ৰক্তপাতৰ প্ৰতিফল
যিহোৱাই তোক দিছে৷ যিহোৱাই তোৰ পুতেক অবচালোমৰ হাতত
ৰাজ্য সমৰ্পণ কৰিলে৷ চা, তই নিজেই ধ্বংস হ’লি, কিয়নো তই
ৰক্তপাতি মানুহ।” ৯ তেতিয়া চৰূয়াৰ পুত্ৰ অবীচয়ে ৰজাক ক’লে,
“সেই মৰা কুকুৰে মোৰ প্ৰভু মহাৰাজক কিয় শাও দিয়ে? আপুনি
অনুমতি দিয়ে যদি, মই পাৰ হৈ গৈ তাৰ মূৰটো কাটি পেলাওঁ।” ১০
কিন্তু ৰজাই ক’লে, “হে চৰূয়াৰ পুত্ৰসকল, তোমালোকৰ লগত মোৰ কি
সম্পৰ্ক? যি স্থলত যিহোৱাই দায়ূদক শাও দে বুলি তাক কৈছে, ‘এনে
স্থলত, সি শাও দিয়াত, তই এনে কিয় কৰিছ বুলি কোনে ক’ব’?” ১১
দায়ূদে অবীচয়ক আৰু নিজৰ সকলো দাসক ক’লে, “চোৱা, মোৰ
ঔৰসত জন্মা মোৰ পুত্ৰই মোৰ প্ৰাণ ল’বলৈ বিচাৰিছে৷ তেন্তে সেই

বিন্যামীনীয়াটোৱে কিমান অধিক পৰিমাণে মোৰ ধ্বংস হোৱাতো
বিচাৰিব! তাক থাকিব দিয়া, সি শাও দিয়ক; কিয়নো যিহোৱাই তাক
অনুমতি দিছে। ১২ কিজানি মোলৈ কৰা অন্যায়লৈ যিহোৱাই দৃষ্টি
কৰিব আৰু সি আজি মোক দিয়া শাওৰ সলনি যিহোৱাই মোৰ মঙ্গল
কৰিব।" ১৩ এইদৰে দায়ুদ আৰু তেওঁৰ লোকসকল বাটেদি গৈ
আছিল আৰু সেই চিমিয়ীয়েও তেওঁৰ সন্মুখৰ পৰ্ব্বতৰ কাষেদি, শাও
দি দি তেওঁলৈ শিল মাৰি মাৰি আৰু মাটি দলিয়াই গৈ আছিল। ১৪
তেতিয়া ৰজাই তেওঁৰ লগৰ লোকসকলে সৈতে অয়েফীমলৈ আহি
সেই ঠাইতে জিৰণি ল'লে। ১৫ এনেতে অবচালোম আৰু তেওঁৰ লগত
অহীথোফল আৰু ইস্রায়েলৰ সকলোলোক যিৰূচালেমলৈ আহিল। ১৬
পাছে যেতিয়া দায়ূদৰ বন্ধু অৰ্কীয়া হূচয় অবচালোমৰ ওচৰলৈ আহিল,
তেতিয়া হূচয়ে অবচালোমক ক'লে, "মহাৰাজ চিৰজীৱি হওক, মহাৰাজ
চিৰজীৱি হওক!" ১৭ তাতে অবচালোমে হূচয়ক ক'লে, "তোমাৰ বন্ধুলৈ
এনেকুৱাহে মৰম নে? তুমি নিজৰ বন্ধুৰ লগত কিয় নগ'লা? ১৮
তাতে হূচয়ে অবচালোমক ক'লে, "নহয়! কিন্তু যি জনক যিহোৱাই এই
লোকসকল আৰু ইস্রায়েলৰ সকলো লোকক মনোনীত কৰিলে, মই
তেওঁৰ ফলীয়াহে, তেওঁৰ লগতহে মই থাকিম। ১৯ আৰু কওঁ, মই কাৰ
সেৱাকৰ্ম কৰিম? তেওঁৰ পুত্ৰৰ সাক্ষাতে দাস্য কৰ্ম কৰা উচিত নহব
নে? যিদৰে তোমাৰ পিতৃৰ উপস্হিতিত দাস্য কৰ্ম কৰিলোঁ, তেনেকৈ
আপোনাৰ আগতো কৰিম। ২০ পাছে অবচালোমে অহীথোফলক
ক'লে, "এতিয়া আমি কি কৰা উচিত, সেই বিষয়ে তোমালোকে দিহা
দিয়া। ২১ তেতিয়া অহীথোফলে অবচালোমক ক'লে, "আপোনাৰ
পিতৃয়ে নিজ ৰাজগৃহ প্ৰতিপাল কৰিবৰ বাবে যি উপপত্নীসকল থৈ
গৈছে, আপুনি তেওঁলোকলৈ গমণ কৰকগৈ; তাতে আপুনি যে নিজ
পিতৃৰ দৃষ্টিত ঘিণলগীয়া হৈছে, তাক গোটেই ইস্রায়েলে শুনিব৷ তেতিয়া
আপোনাৰ লগত থকা সকলো লোকৰ হাত বলৱান হ'ব।" ২২ পাছে
অবচালোমৰ বাবে গৃহৰ শীৰ্ষ স্হানত এটা তম্বু তৰি দিয়া হ'ল আৰু
অবচালোমে সকলো ইস্রায়েলৰ সাক্ষাতে নিজ পিতৃৰ উপপত্নীবোৰত
গমণ কৰিলে। ২৩ সেই কালত অহীথোফলে যি যি দিহা দিছিল,

সেইবোৰ ঈশ্বৰৰ মুখৰ বাক্যৰ দ্বাৰাই উত্তৰ পোৱাৰ দৰে আছিল৷
দায়ূদক দিয়া আৰু অবচালোমক দিয়া অহীথোফলৰ সকলো দিহা
তেনেদৰেই আছিল।

**১৭** তাৰ পাছত অহীথোফলে অবচালোমক ক'লে, "মোক আপুনি
বাৰ হাজাৰ লোকক বাচি ল'ব দিয়ক আৰু মই আজি ৰাতিয়েই উঠি গৈ
দায়ূদৰ পিচত খেদি যাওঁ৷ ২ যেতিয়া তেওঁ ক্লান্ত আৰু দুৰ্বল হোৱা
যেন দেখিম, মই হঠাৎ তেওঁক আক্ৰমণ কৰি ত্ৰাসত পেলাম৷ তাতে
তেওঁৰ লগৰ সকলো মানুহ পলাই যাব আৰু মই অকল ৰজাকহে বধ
কৰিম৷ ৩ এইদৰে মই সকলো লোকক আপোনাৰ ফাললৈ আনিম যি
দৰে এজনী কন্যা তেওঁৰ স্বামীৰ ওচৰলৈ আহে৷ তাতে সকলো লোক
আপোনাৰ অধীনত শান্তিৰে থাকিব।" ৪ তেতিয়া অহীথোফলৰ এই
কথাত অবচালোম আৰু ইস্ৰায়েলৰ সকলো বৃদ্ধ লোকে সন্তোষ পালে।
৫ তেতিয়া অবচালোমে ক'লে, "এতিয়া অৰ্কীয়া হূচয়ক মাতা আৰু
তেওঁ কি কয় সেই বিষয়ে আমি শুনো।" ৬ যেতিয়া হূচয় অবচালোমৰ
ওচৰলৈ আহিল, তেতিয়া অবচালোমে তেওঁক অহীথোফলে কোৱা
কথাষাৰ বুজাই ক'লে আৰু হূচয়ক সুধিলে বোলে, "অহীথোফলে যি
কথা ক'লে আমি সেইদৰে কৰিম নে? যদি কৰিব নালাগে, তেনেহ'লে
আপুনিয়েই আমাক পৰামৰ্শ দিয়ক।" ৭ তেতিয়া হূচয়ে অবচালোমক
ক'লে, "অহীথোফলে এইবাৰ দিয়া দিহা ভাল নহয়।" ৮ হূচয়ে আৰু
ক'লে, "আপুনি জানে যে আপোনাৰ পিতৃ আৰু তেওঁৰ লোকসকল বীৰ
যোদ্ধা আৰু তেওঁলোকৰ খং পোৱালি কাঢ়ি নিয়া হাবিৰ ভালুকৰ দৰে।
আপোনাৰ পিতৃ এজন যুদ্ধাৰু; তেওঁ সৈন্যসকলৰ লগত আজি ৰাতি
নাথাকিব৷ ৯ চাওঁক, এতিয়া তেওঁ হয়তো কোনো এটা গাতত নাইবা
আন কোনো ঠাইত লুকাই আছে৷ তেতিয়া এনে ঘটিব যে, আৰম্ভতে
তোমাৰ লোকসকলৰ মাজত কেইজনমান লোক পতিত হ'ব আৰু
তেতিয়া সেই বিষয়ে শুনা লোকসকলে ক'ব বোলে, 'অবচালোমৰ
পাছত যাওঁতা লোকসকলৰ মাজত হত্যা হৈছে।' ১০ সেই সময়ত যি
সকল সাহিয়াল লোক, যি সকলৰ সাহস সিংহৰ নিচিনা, তেওঁলোকো
পমি যাব কাৰণ আপোনাৰ পিতৃ যে এজন বীৰ পুৰুষ আৰু তেওঁৰ লগৰ

লোকসকলো যে সাহিয়াল, সেই বিষয়ে সকলো ইস্রায়েলে জানে। ১১
কিন্তু মই এই পৰামৰ্শ দিওঁ যে দানৰে পৰা বেৰ-চেবালৈকে, সাগৰৰ
তীৰত থকা বালিৰ নিচিনা অসংখ্যক ইস্রায়েলক আপোনাৰ আগত
গোট খুউৰা হওঁক আৰু যেন আপুনি নিজেও যুদ্ধলৈ যাওঁক। ১২
তেতিয়া যি কোনো ঠাইত তেওঁক পোৱা যাব, সেই ঠাইতে আমি তেওঁৰ
গুৰিত উপস্থিত হৈ, মাটিত নিয়ৰ পৰাৰ দৰে তেওঁৰ ঢাকি ধৰিল৷ তাতে
তেওঁক আৰু তেওঁৰ লগত যোৱা মানুহৰ মাজৰ কোনো এজনকো
অৱশিষ্ট নাৰাখিম। ১৩ যদি তেওঁ কোনো নগৰত আশ্রয় লয়, তেন্তে
গোটেই ইস্রায়েলে সেই নগৰলৈ জৰী আনিব আৰু আমি সেই নগৰখন
বান্ধি, জুৰিলৈকে তাক এনেধৰণে টানি লৈ যাম যে সেই ঠাইত এটি সৰু
শিলো নাথাকিব৷” ১৪ তেতিয়া অবচালোম আৰু ইস্রায়েলৰ লোকসকলে
ক'লে, “অহীথোফলৰ পৰামৰ্শতকৈ অৰ্কীয়া হূচয়ৰ দিহাই উত্তম।”
কিয়নো অবচালোমৰ ওপৰত অমঙ্গল ঘটাবৰ কাৰণে অহীথোফলৰ
উত্তম পৰামৰ্শ ব্যৰ্থ কৰিবলৈ যিহোৱাই সেই বিষয়ে থিৰ কৰিছিল।
১৫ তাৰ পাছত হূচয়ে চাদোক আৰু অবিয়াথৰ এই দুজন পুৰোহিতক
ক'লে, “অহীথোফলে অবচালোমক আৰু ইস্রায়েলৰ বৃদ্ধ লোকসকলক
এনে-তেনে পৰামৰ্শ দিছিল কিন্তু মই হ'লে অন্য পৰামৰ্শ দিলোঁ। ১৬
এতেকে তোমালোকে বেগাই দায়ূদৰ ওচৰলৈ মানুহ পঠিয়াই তেওঁক
কোৱা যে, ‘আপুনি আজি ৰাতি আৰাবাহ'ৰ মৰুপ্ৰান্তৰ পাৰ ঘাটত
নাথাকিব কিন্তু কোনো প্ৰকাৰে সেই ঠাই পাৰ হৈ যাব, নহ'লে মহাৰাজ
আৰু আপোনাৰ লগৰ সকলো লোক গ্ৰাসিত হ'ব'।” ১৭ সেই সময়ত
যোনাথন আৰু অহীমাচ অয়িন-ৰোগেলৰ জুৰিত বাস কৰি আছিল;
তাতে এগৰাকী দাসীয়ে গৈ গৈ তেওঁলোকক বাতৰিসমূহ দিছিল৷
এইদৰে তেওঁলোকে দায়ুদ ৰজাৰ ওচৰত বাতৰি দিবলৈ যায় যাতে
তেওঁলোকক নগৰত সোমোৱা কোনো লোকে দেখা নাপায়। ১৮ কিন্তু
এইবাৰ এজন যুৱকে তেওঁলোকক দেখি অবচালোমৰ আগত জনালে৷
তেতিয়া যোনাথন আৰু অহীমাচ দুয়ো শীঘ্ৰে গুচি গৈ, বহূৰীমত থকা
এজন মানুহৰ ঘৰত উপস্থিত হ'ল। সেই জন মানুহৰ চোতালত এটা
নাদ আছিল আৰু দুয়ো সেই নাদলৈ নামি গ'ল। ১৯ তেতিয়া সেই মানুহ

জনৰ পত্নীয়ে নাদৰ মুখত কাপোৰ এখন পাৰি, তাৰ ওপৰত খৰচিয়া
পিঠাগুৰি মেলি দিলে; তাতে যোনাথন আৰু অহীমাচ সেই নাদত থকা
বুলি কোনেও নাজানিলে। ২০ পাছত অবচালোমৰ দাসবোৰে সেই
ঘৰৰ মহিলা গৰাকীৰ ওচৰলৈ গৈ সুধিলে, "অহীমাচ আৰু যোনাথন
ক'ত আছে?" তেতিয়া সেই মহিলা গৰাকীয়ে তেওঁলোকক ক'লে,
"তেওঁলোক নদীখন পাৰ হৈ গ'ল৷" তাতে সেই ঠাইত তেওঁলোক
দুয়োকে বিচাৰি নাপাই যিৰূচালেমলৈ ঘূৰি আহিল। ২১ তেওঁলোক গুচি
যোৱাৰ পাছত যোনাথন আৰু অহীমাচ নাদৰ বাহিৰলৈ উঠি আহিল৷
তাৰ পাছত দুয়ো দায়ুদ ৰজাক বাতৰি দিবলৈ গ'ল৷ তেওঁলোকে তেওঁক
ক'লে, "আপোনালোক উঠক আৰু বেগাই পানীখিনি পাৰ হৈ যাওঁক
কিয়নো অহীথোফলে আপোনালোকৰ বিৰুদ্ধে এনে-তেনে পৰামৰ্শ
দিলে।" ২২ তেতিয়া দায়ুদ আৰু তেওঁৰ লগৰ সকলোৱে উঠি যৰ্দ্দন পাৰ
হ'ল৷ ৰাতিপুৱালৈ যৰ্দ্দন পাৰ নোহোৱাকৈ তেওঁলোকৰ এজনো অৱশিষ্ট
নাথাকিল। ২৩ পাছত যেতিয়া অহীথোফলে নিজৰ পৰামৰ্শৰ দৰে কাম
নোহোৱা দেখিলে তেতিয়া তেওঁ নিজৰ গাধ সজাই তাত উঠি গুছি
গ'ল। তেওঁ নিজ নগৰত থকা নিজ ঘৰলৈ গৈ, নিজৰ ঘৰৰ বিষয়ে দিহা
দি, নিজে নিজৰ ডিঙিত ফাঁচ লগালে৷ তাতে তেওঁৰ এনেদৰে মৃত্যু
হয় আৰু নিজ পিতৃৰ মৈদামতে তেওঁক মৈদাম দিয়া হ'ল। ২৪ তাৰ
পাছত দায়ূদে মহনয়িমত আহিল৷ অবচালোমে হ'লে সকলো ইস্ৰায়েল
লোকৰ সৈতে যৰ্দ্দন পাৰ হ'ল। ২৫ তেতিয়া অবচালোমে যোৱাবৰ
সলনি অমাচাক প্ৰধান সেনাপতি পাতিলে। অমাচা ইস্ৰায়েলীয়া যিথ্ৰা
নামেৰে এজন মানুহৰ পুত্ৰ আছিল৷ সেই মানুহ জনে যোৱাবৰ মাক
চৰূয়াৰ ভনীয়েক নাহচৰ জীয়েক অবীগলত গমণ কৰিছিল। ২৬ তাৰ
পাছত ইস্ৰায়েল আৰু অবচালোমে গিলিয়দ দেশত ছাউনি পাতিলে।
২৭ যি সময়ত দায়ূদে মহনয়িমত আহিছিল, অম্মোনৰ সন্তানসকলৰ
ৰব্বাত থকা নাহচৰ পুত্ৰ চোবীয়ে, লো-দবৰাত থকা অম্মীয়েলৰ পুত্ৰ
মাখীৰে আৰু ৰোগেলীমত থকা গিলিয়দীয়া বৰ্জ্জিলয়ে দায়ূদৰ আৰু
তেওঁৰ লগৰ লোকসকলৰ কাৰণে ২৮ শয্যা, চৰিয়া, মাটিৰ পাত্ৰ, ঘেঁহু,
যৱ, আটাগুৰি, ভজা শস্য, লেচেৰা মাহ, মচুৰ মাহ, ভজামাহ, ২৯ মৌ,

মাখন, মেৰৰ জাক আৰু গৰু গাখীৰৰ পনিৰ আনিলে৷ এই লোকসকলে
কৈছিল যে, “লোকসকলে মৰুপ্রান্তত ক্ষুধাতুৰ, শ্রান্ত, আৰু তৃষ্ণাতুৰ
হৈছে।”

**১৮** দায়ূদে তেওঁৰ লগত থকা সৈন্যসকলক গণনা কৰিলে আৰু
তেওঁলোকৰ মাজত সহস্রপতি ও শতপতি নিযুক্ত কৰিলে। ২ তাৰ
পাছত দায়ূদে যোৱাবৰ হাতত সৈন্যসকলৰ এভাগ, যোৱাবৰ ভায়েক
চৰূয়াৰ পুত্র অবীচয়ৰ হাতত এভাগ আৰু গাতীয়া ইত্তয়ৰ হাতত এভাগ
সমৰ্পণ কৰি পঠিয়াই দিলে। ৰজাই তেতিয়া সৈন্যসকলক ক'লে, “মই
নিজেও নিশ্চয়ে তোমালোকৰ লগত যাম।” ৩ কিন্তু লোকসকলে
ক'লে, “আপুনি যাব নালাগে, কিয়নো যদি আমি পলাই যাও, আমাৰ
বাবে চিন্তা নকৰিব, আমাৰ অৰ্দ্ধেকলোক মৰিলেও আমাৰ বাবে
চিন্তা নকৰিব৷ কিন্তু আপুনি আমাৰ দহ হাজাৰৰ সমান। এই হেতুকে
আপুনি নগৰৰ পৰা আমাক সহায় কৰিবৰ অৰ্থে আপুনি যুগুত হৈ
থাকিলে ভাল হ'ব।” ৪ তাতে ৰজাই তেওঁলোকক ক'লে, “তোমালোকে
যিহকে ভাল দেখা, মই তাকেই কৰিম।” পাছত ৰজা নগৰৰ দুৱাৰৰ
কাষত থিয় হৈ ৰ'ল আৰু সকলো সৈন্য শ শ আৰু হাজাৰ হাজাৰ
কৈ ওলাই গ'ল। ৫ তেতিয়া ৰজাই যোৱাব, অবীচয় আৰু ইত্তয়ক
আজ্ঞা দি ক'লে, “তোমালোকে মোলৈ চাই, সেই ডেকা যোৱবক
অবচালোমৰ প্রতি বিনীত ভাৱে ব্যৱহাৰ কৰিবা।” অবচালোমৰ বিষয়ে
সেনাপতিসকলক ৰজাই এই আজ্ঞা দিয়া সময়ত সকলো লোকে সেই
কথা শুনিলে। ৬ এইদৰে সৈন্যসকল ইস্রায়েলৰ বিৰুদ্ধে গ্ৰাম্যঞ্চলৰ
বাহিৰলৈ ওলাই গ'ল; সেই যুদ্ধ ইফ্ৰয়িমৰ হাবিত হ'ল। ৭ সেই ঠাইত
ইস্রায়েলৰ সৈন্যসকল দায়ূদৰ সৈন্যসকলৰ সন্মুখত পৰাজিত হ'ল;
তাতে সেইদিনা মহা-সংহাৰ হোৱাত বিশ হাজাৰ লোকৰ মৃত্যু হয়। ৮
কিয়নো যুদ্ধ সেই অঞ্চলত বিয়পি গ'ল, সেই বাবে তাত তৰোৱালে
যিমান লোক গ্ৰাস কৰিলে, হাবিয়ে তাতকৈ অধিক লোক গ্ৰাস কৰিলে।
৯ পাছত অবচালোমে দায়ূদৰ সৈন্যসকলক হঠাৎ লগ পালে৷ তেতিয়া
অবচালোম নিজৰ খছৰৰ ওপৰত উঠি যাওঁতে, সেই খছৰে তাত থকা
এজোপা ডাঙৰ এলা গছৰ ঘন ডালৰ তলেদি যোৱাত, সেই এলা

গছত অবচালোমৰ মুৰটো লাগি ধৰিল, তেওঁ আকাশ আৰু পৃথিৱীৰ
মাজত ওলমি থাকিল আৰু তলৰ পৰা খচ্চৰ চলি গৈ থাকিল। ১০
তেতিয়া কোনো এজন লোকে সেই দৃশ্য দেখা পাই যোৱাবক ক'লে,
"চাওঁক, মই এলা গছত অবচালোমক ওলমি থকা দেখিলোঁ।" ১১
তেতিয়া যোৱাবে সেই বাতৰি দিয়া মানুহ জনক ক'লে, "যদি তুমি
তেনেকুৱা দেখিছিলা, তেনেহ'লে কিয় সেই ঠাইতে তেওঁক মাৰি মাটিত
নেপেলালা? তাকে কৰা হ'লে, মই তোক দহ চেকল ৰূপ আৰু এগজ
টঙালি দিলোঁহেঁতেন।" ১২ তেতিয়া মানুহ জনে যোৱাবক ক'লে, "মই
যদিও হাজাৰ চেকল ৰূপ লওঁ তথাপিও মই সেই ৰাজ কোঁৱৰৰ অহিতে
হাত নেমেলোঁ কিয়নো আমি শুনাকৈ ৰজাই আপোনাক, অবীচয়ক আৰু
ইত্তয়ক এই আজ্ঞা দিছিল বোলে, 'সাৱধান, তোমালোকৰ কোনোৱেও
যেন সেই ডেকা অবচালোমক নুচুৱে'। ১৩ আৰু যদিও মই গুপুতে
তেওঁৰ প্ৰাণ ললোহেতেন, তথাপিও আপুনি নিজেও মোৰ বিৰুদ্ধে
হ'লহেতেন, কাৰণ ৰজাৰ পৰা কোনো কথা গুপুতে নাথাকে৷ ১৪
তেতিয়া যোৱাবে ক'লে, "মই তোমাৰ কাৰণে ৰখি নাথাকো।" তেতিয়া
তেওঁ নিজৰ হাতত তিনিডাল শূল লৈ, অবচালোম এলা গছৰ মাজত
জীয়াই ওলমি থাকোঁতেই, তেওঁৰ বুকুৰ মাজেৰে সোমোৱাই দিলে৷
১৫ তেতিয়া যোৱাবৰ সেই দহজন অস্ত্ৰধাৰী ডেকাই অবচালোমক বেৰি
ধৰি, আঘাত কৰি, তেওঁক বধ কৰিলে। ১৬ তাৰ পাছত যোৱাবে শিঙা
বজালে আৰু সৈন্যসকল ইস্ৰায়েলৰ পাছত খেদি যোৱাৰ পৰা উভটি
আহিল কিয়নো যোৱাবে সৈন্যসকলক ৰখাই হ'ল। ১৭ তেওঁলোকে
অবচালোমক নমাই আনি, হাবিৰ মাজত থকা বৰ গাত এটাত পেলাই
দিলে; তেওঁলোকে তেওঁৰ ওপৰত শিলৰ এটা বৰ দ'ম ৰাখি হ'ল আৰু
সকলো ইস্ৰায়েলৰ প্ৰত্যেক জন লোক নিজ নিজ তম্বুলৈ পলাই গ'ল ১৮
ৰজাৰ উপত্যকাত যি স্তম্ভ আছে, তাক অবচালোমে জীয়াই থকা কালত
নিৰ্ম্মাণ কৰাই, নিজৰ কাৰণে স্থাপন কৰিছিল কিয়নো তেওঁ কৈছিল যে,
"মোৰ নাম ৰাখিবলৈ মোৰ পো নাই।" এই কাৰণে তেওঁ নিজৰ নাম
অনুসাৰে সেই স্তম্ভৰ নাম ৰাখিলে আৰু সেই বাবে সেয়ে আজিলৈকে
অবচালোমৰ স্তম্ভ বুলি প্ৰখ্যাত আছে। ১৯ তাৰ পাছত চাদোকৰ পুত্ৰ

অহীমাচে ক'লে, "যিহোৱাই কেনেকৈ ৰজাৰ পক্ষে তেওঁৰ শত্রুবোৰৰ
প্রতিকাৰ সাধিলে, তাৰ শুভবার্ত্তা ৰজাক দিবলৈ মোক এতিয়া লৰি
যাবলৈ দিয়ক।" ২০ তেতিয়া যোৱাবে তেওঁক ক'লে, "তুমি আজি এই
বাতৰি দিয়া লোক হ'ব নালাগে; তুমি আন দিনাখন এই বাতৰি দিবা৷
আজি তুমি একো বাতৰি নিদিবা কাৰণ ৰজাৰ কোঁৱৰৰ মৃত্যু হ'ল।"
২১ তেতিয়া যোৱাবে কুচীয়াক ক'লে, "তুমি যোৱা আৰু যি দেখিলা
সেই বিষয়ে ৰজাক জনোৱাগৈ৷" তাতে কুচীয়াই যোৱাবক সেৱা কৰি
লৰি গ'ল। ২২ তেতিয়া চাদোকৰ পুত্র অহীমাচে আকৌ যোৱাবক
ক'লে, "যি হওঁক, অনুগ্রহ কৰি কুচীয়াৰ পাছত মোকো লৰি যাবলৈ
দিয়ক।" তাতে যোৱাবে ক'লে, "বোপা তুমি কিয় লৰি যোৱা? তুমি
বাতৰিৰ একো বঁটা নাপাবা।" ২৩ অহীমাচে ক'লে, "যি হওঁক, মোক
লৰি যাবলৈ দিয়ক।" তাতে যোৱাবে ক'লে, "লৰি যোৱা।" তেতিয়া
অহীমাচে সমথলৰ বাটেদি লৰি লৰি গৈ কুচীয়াক পাছ পেলালে। ২৪
সেই সময়ত দায়ুদ নগৰৰ দুই দোৱাৰৰ মাজত বহি আছিল৷ তেতিয়া
প্রহৰীয়ে নগৰৰ দোৱাৰৰ ওপৰ ভাগৰ গড়ৰ ওপৰত উঠি চকু তুলি
চালে৷ তেতিয়া তেওঁ এজন মানুহ অকলেই তেওঁলোকৰ ফালে লৰি
আহি থকা দেখিলে। ২৫ তেতিয়া প্রহৰীয়ে ৰিঙিয়াই ৰজাক সেই কথা
জনালে৷ ৰজাই ক'লে, "তেওঁ যদি অকলে আছে, তেন্তে তেওঁৰ মুখত
বাতৰি আছে।" লৰি অহা ল'ৰা জনে ওচৰ আহি নগৰৰ কাষ চাপিলে৷
২৬ তেতিয়া প্রহৰীয়ে আৰু এজনক লৰি অহা দেখি ৰিঙিয়াই দুৱৰীটোক
ক'লে, "চোৱা আৰু এজন অকলে লৰি আহিছে।" তাতে ৰজাই ক'লে,
"তেৱোঁ বাতৰি আনিছে।" ২৭ তেতিয়া প্রহৰীয়ে ক'লে, "মই ভাবো
প্রথম জন লোকৰ লৰ চাদোকৰ পুত্র অহীমাচৰ লৰৰ নিচিনা।" ৰজাই
ক'লে, "তেওঁ ভাল মানুহ আৰু তেওঁ ভাল সম্বাদ আনিছে।" ২৮ তেতিয়া
অহীমাচে ৰিঙিয়াই ৰজাক ক'লে, "সকলো মঙ্গলময়৷" পাছত তেওঁ
মাটিত মুখ লগাই ৰজাৰ আগত সেৱা কৰি ক'লে, "যি জনে মোৰ প্রভু
ৰজাৰ অহিতে হাত তোলা লোকসকলক শোধাই দিলে, আপোনাৰ
সেই ঈশ্বৰ যিহোৱা ধন্য।" ২৯ তেতিয়া ৰজাই সুধিলে, "ডেকা যুৱক
অবচালোমৰ মঙ্গল নে?" তাতে অহীমাচে উত্তৰ দি ক'লে, "যি সময়ত

যোৱাবে আপোনাৰ দাস মোক আপোনালৈ পঠালে, তেতিয়া বৰ হুৰা-
মুৰা হোৱা দেখিলোঁ; কিন্তু কি হৈছিল সেই বিষয়ে জানিবলৈ নাপালোঁ।"
৩০ ৰজাই ক'লে, "একাষে গৈ ইয়াতে থিয় হোৱা।" তাতে অহীমাচে
একাষে গৈ থিয় হ'ল। ৩১ তেতিয়াই সেই কুচীয়াই আহি ক'লে, "মোৰ
প্ৰভু মহাৰাজলৈ বাতৰি আনিছোঁ কিয়নো আপোনাৰ অহিতে উঠা
আটাই মানুহৰ ওপৰত আজি আপোনাৰ পক্ষে যিহোৱাই প্ৰতিকাৰ
সাধিলে।" ৩২ তাতে ৰজাই কুচীয়াক সুধিলে, ডেকা পুৰুষ অবচালোমৰ
মঙ্গল নে? কুচীয়াই ক'লে, "মোৰ প্ৰভু মহাৰাজৰ শত্ৰুবোৰ আৰু
আপোনাৰ অনিষ্ট কৰিবলৈ আপোনাৰ বিৰুদ্ধে উঠা আটাইবোৰ সেই
ডেকা যুৱক জনৰ নিচিনা হওঁক।" ৩৩ তেতিয়া ৰজাই অধৈৰ্য হৈ নগৰৰ
দুৱাৰৰ ওপৰৰ কোঁঠালিলৈ উঠি ক্ৰন্দন কৰিবলৈ ধৰিলে৷ আৰু ইফাল-
সিফালে ফুৰি ক'লে, "হায় মোৰ পুত্ৰ অবচালোম! হায় মোৰ পুত্ৰ! হায়
মোৰ পুত্ৰ অবচালোম! তোমাৰ সলনি মই মৰা হ'লেই ভাল আছিল!
হায় অবচালোম! হায় মোৰ পুত্ৰ! মোৰ পুত্ৰ!"

**১৯** যোৱাবক কোৱা হ'ল, "চাওক, ৰজাই অবচালোমৰ বাবে ক্ৰন্দন
আৰু শোক কৰিছে।" ২ সেই দিনাখনৰ জয় সকলো সৈন্যৰ পক্ষে
শোক হৈ পৰিল, কাৰণ সেইদিনা লোকসকলে, "ৰজাই নিজ পুত্ৰৰ
বিষয়ে বেজাৰ কৰিছে বুলি শুনিলে।" ৩ যুদ্ধৰ পৰা পলাই যোৱা
লোকসকলে যিদৰে লাজ পাই চোৰৰ নিচিনাকৈ লুকাই লুকাই যায়,
তেনেকৈ লোকসকলে সেই দিনাখন চোৰৰ দৰে নগৰত সোমাল।
৪ ৰজাই নিজ মুখ ঢাকি, বৰ মাতেৰে চিঞৰি কান্দি কান্দি কবলৈ
ধৰিলে, "হায়, মোৰ পুত্ৰ অবচালোম! হায়, অবচালোম! হায়, মোৰ পুত্ৰ!
মোৰ পুত্ৰ!" ৫ পাছে যোৱাবে ঘৰৰ ভিতৰত সোমাই ৰজাৰ ওচৰলৈ গৈ
ক'লে, "যিসকলে আপোনাৰ প্ৰাণ, আপোনাৰ পো-জী সকলৰ প্ৰাণ
আপোনাৰ ভাৰ্য্যাসকলৰ আৰু উপপত্নী সকলৰ প্ৰাণ ৰক্ষা কৰিলে,
আপোনাৰ সেই দাসবোৰক লাজত পেলালে, ৬ কিয়নো আপোনাক
ঘিণাওঁতা সকলক আপুনি প্ৰেম কৰে আৰু আপোনাক প্ৰেম কৰোঁতা
সকলক আপুনি ঘিণ কৰে৷ কিয়নো আজি আপুনি প্ৰকাশ কৰিলে, যে,
অধ্যক্ষ আৰু দাসবোৰ আপোনাৰ আগত একোৱেই নহয়৷ কাৰণ আজি

মোৰ এনে বিশ্বাস হৈছে, যে, যদি অবচালোম জীয়াই থাকিলহেঁতেন
আৰু আমি সকলোৱে মৰিলোঁহেঁতেন, তেতিয়া বোধহয় আপুনি ভাল
পালেহেঁতেন। ৭ এই হেতুকে এতিয়া আপুনি উঠি বাহিৰলৈ গৈ,
আপোনাৰ সৈন্যসকলক শান্ত্বনাৰ কথা কওঁক, কিয়নো মই যিহোৱাৰ
নামেৰে শপত খাই কৈছোঁ, যদি আপুনি বাহিৰলৈ গৈ তেওঁলোকক
নকয়, তেন্তে এই ৰাতি আপোনাৰ লগত আৰু এজনো লোক নাথাকিব৷
আৰু আপোনাৰ যৌৱন কালৰে পৰা এতিয়ালৈকে আপোনালৈ যিমান
অমঙ্গল ঘটিছে, সেই আটাইবোৰতকৈ আপোনাৰ এই অমঙ্গল অতি
গুৰুতৰ হ'ব।" ৮ তাতে ৰজা উঠি নগৰৰ দুৱাৰৰ মুখতে বহি থাকিল।
তেতিয়া, ৰজা নগৰৰ দুৱাৰত বহি আছে বুলি সকলো লোকক কোৱা
হ'ল বোলে, "চোৱা, ৰজা দেখোন দোৱাৰ মুখত বহি আছে৷" তেতিয়া
সকলো লোক ৰজাৰ ওচৰলৈ আহিল। ইতিমধ্যে ইস্ৰায়েলত থকা
প্ৰতিজন লোক নিজ নিজ তম্বুলৈ পলাই গ'ল। ৯ ইস্ৰায়েলৰ সকলো
ফৈদৰ মাজত সকলো লোকে পৰস্পৰে বিবাদ কৰি ক'লে, "ৰজাই
শত্ৰুবোৰৰ হাতৰ পৰা আমাক নিস্তাৰ কৰিছিল৷ পলেষ্টীয়াসকলৰ
হাতৰ পৰাও আমাক উদ্ধাৰ কৰিছিল আৰু এতিয়া তেওঁ অবচালোমৰ
ভয়ত দেশৰ পৰা পলাই গ'ল। ১০ আৰু অবচালোম, আমি যিজনক
আমাৰ ওপৰত ৰজা অভিষেক কৰিছিলোঁ, তেওঁৰো ৰণত মৃত্যু হ'ল।
গতিকে, এতিয়া তোমালোকে কিয় ৰজাক ওভোটাই অনাৰ বিষয়ে
একো নোকোৱা?" ১১ পাছত দায়ুদ ৰজাই চাদোক আৰু অবিয়াথৰ
পুৰোহিতৰ গুৰিলৈ দূত পঠাই কোৱালে, বোলে, "তোমালোকে যিহূদাৰ
বৃদ্ধসকলক কোৱা, 'ৰজাক নিজ গৃহলৈ ওভোটাই নিবলৈ তোমালোক
কিয় সকলোতকৈ পাছ পৰিছাহঁক, যিহেতু ৰজাক নিজ গৃহলৈ ওভোটাই
নিবলৈ, গোটেই ইস্ৰায়েলৰ নিবেদন ৰজাৰ গুৰিত উপস্থিত হ'ল?
১২ তোমালোকেই মোৰ ভাই, মোৰ হাড়ৰো হাড়, মঙহৰো মঙহ৷
তেন্তে তোমালোকে ৰজাক ওভোটাই নিবলৈ কিয় সকলোতকৈ পিচ
পৰিছাহঁক?' ১৩ আৰু তোমালোকে অমাচাকো ক'বা, 'তুমি জানো
মোৰ হাড়ৰো হাড়, মঙহৰো মঙহ নোহোৱা? তুমি যদি এতিয়াৰ পৰা
মোৰ সৈন্যসকলৰ বাবে যোৱাবৰ ঠাইত প্ৰধান সেনাপতি নোহোৱা,

তেন্তে ঈশ্বৰে মোক অধিক আনকি তাতোধিক দণ্ড দিয়ক'।" ১৪ আৰু
এইদৰে তেওঁ যিহূদাৰ সকলো লোকৰ মন জিকিলে, যেন সকলোৰে
মন এজনৰহে হ'ল৷ তাতে তেওঁলোকে ৰজালৈ এই কথা কৈ পঠালে,
বোলে, "আপুনি আৰু আপোনাৰ দাসবোৰ পুনৰায় উভটি আহক।"
১৫ তেতিয়া ৰজাই উভটি যৰ্দ্দনলৈ আহিল। সেই সময়তে যিহূদাৰ
লোকসকলে ৰজাক যৰ্দ্দন পাৰ কৰি আগ বঢ়াই লৈ যাবলৈ গিলগললৈ
আহিল। ১৬ তেতিয়া দায়ুদ ৰজাক আগ বঢ়াবৰ বাবে, বহূৰীম-নিবাসী
গেৰাৰ পুত্ৰ বিন্যামীনীয়া চিমিয়ীয়ে খৰখেদাকৈ যিহূদাৰ লোকসকলৰ
লগত গ'ল। ১৭ আৰু তেওঁৰ লগত বিন্যামীনীয়া এক হাজাৰ লোক
আৰু চৌলৰ বংশৰ দাস চীবা আৰু লগত তেওঁৰ পোন্ধৰজন পুত্ৰ আৰু
বিশজন দাস আছিল৷ তেওঁলোকে ৰজাৰ সাক্ষাতে যৰ্দ্দনৰ মাজেৰে পাৰ
হৈছিল। ১৮ তেতিয়া তেওঁলোকে ৰজাৰ পৰিয়ালসমূহক পাৰ কৰিবৰ
কাৰণে আৰু তেওঁ যি ভাল দেখে, তাকে কৰিবৰ বাবে সিপাৰলৈ লৈ
গৈছিল। ৰজাই যৰ্দ্দন পাৰ হোৱাৰ পিচত গেৰাৰ পুত্ৰ সেই চিমিয়ীই
ৰজাৰ আগত দীঘল দি পৰি প্ৰণাম জনালে৷ ১৯ আৰু চিমিয়ীই ৰজাক
ক'লে, "মোৰ প্ৰভুৱে মোক অপৰাধী বুলি গণনা নকৰিব, মোৰ প্ৰভু
মহাৰাজ যিৰূচালেমৰ পৰা ওলাই অহা দিনা আপোনাৰ এই দাসে
যি অকৰ্ম কৰিছিল, তাক আপুনি সোঁৱৰণ কৰি মনত নাৰাখিব। ২০
কিয়নো মই যে পাপ কৰিলোঁ, তাক আপোনাৰ এই দাসে জানো৷
চাওঁক, এই হেতুকে মোৰ প্ৰভু মহাৰাজক আগ বঢ়াই নিবলৈ যোচেফৰ
সকলো বংশৰ মাজত প্ৰথমে ময়েই আজি নামি আহিছোঁ।" ২১ কিন্তু
চৰূয়াৰ পুত্ৰ অবীচয়ে উত্তৰ দি ক'লে, "সেই বাবেই জানো চিমিয়ীৰ
প্ৰাণদণ্ড হোৱাটো উচিত নহ'ব নে? কাৰণ তেওঁ যিহোৱাৰ অভিষিক্ত
জনক শাও দিছিল।" ২২ তাতে দায়ূদে ক'লে, "হে চৰূয়াৰ পুত্ৰসকল,
তোমালোকৰ লগত মোৰ কি সম্পৰ্ক আছে, যে, আজি তোমালোক
মোৰ বিৰোধিতা কৰিছা? আজি ইস্ৰায়েলৰ মাজত জানো কোনো
লোকৰ প্ৰাণদণ্ড হোৱা উচিত? কিয়নো আজি যে মই ইস্ৰায়েলৰ
ওপৰত ৰজা হলোঁ, ইয়াক জানো মই নাজানো?" ২৩ পাছত ৰজাই
চিমিয়ীক ক'লে, "তোমাৰ প্ৰাণদণ্ড নহ'ব; এই বুলি ৰজাই শপত খাই

তেওঁক প্ৰতিজ্ঞা কৰিলে। ২৪ তেতিয়া চৌলৰ পুত্ৰ মফিবোচতে ৰজাৰে
সৈতে সাক্ষাৎ হবলৈ নামি আহিল৷ ৰজা ওলাই যোৱা দিনৰে পৰা
শান্তিৰে ঘৰলৈ উলটি অহা দিনলৈকে তেওঁ নিজৰ ভৰি ধোৱা নাই,
তেওঁৰ গোফ ছটা নাই আৰু কাপোৰো ধোৱা নাই। ২৫ তেওঁ ৰজাক
দেখা কৰিবলৈ যিৰূচালেমলৈ আহোতে, ৰজাই তেওঁক ক'লে, "হে
মফিবোচৎ, তুমি মোৰ লগত কিয় নগ'লা?" ২৬ তাতে তেওঁ উত্তৰ দি
ক'লে, "হে মোৰ প্ৰভু মহাৰাজ, মোৰ দাসে মোক প্ৰবঞ্চনা কৰিলে;
কাৰণ আপোনাৰ এই দাসে কৈছিল, 'মই গাধটি সজোৱাই তাৰ
ওপৰত উঠি, মহাৰাজৰ লগত যাম; কিয়নো আপোনাৰ এই দাস
খোৰা।' ২৭ মোৰ দাস চীবায়ে, মোৰ প্ৰভু মহাৰাজৰ আগত, আপোনাৰ
এই দাসৰ বদনাম কৰিলে৷ কিন্তু মোৰ প্ৰভু মহাৰাজ ঈশ্বৰৰ দূতৰ
তুল্য৷ এতেকে আপোনাৰ দৃষ্টিত যিহকে ভাল দেখে, আপুনি তাকে
কৰক। ২৮ কিয়নো মোৰ প্ৰভু মহাৰাজৰ সাক্ষাতে মোৰ সকলো পিতৃ-
বংশ কেৱল মৃত্যুৰ যোগ্য আছিল, তথাপি আপুনি আপোনাৰ মেজত
ভোজন কৰোঁতা সকলৰ মাজত আপোনাৰ এই দাসক বহুৱালে৷ এই
হেতুকে ৰজাৰ আগত কাতৰোক্তি কৰিবলৈ মোৰ নো আৰু কি অধিকাৰ
আছে?" ২৯ তেতিয়া ৰজাই তেওঁক ক'লে, "তুমি এতিয়াও আৰু নিজৰ
কথাকে কিয় কৈ আছা? মই সিদ্ধান্ত ল'লো যে, তুমি আৰু চীবা, দুয়োয়ে
সেই মাটি ভাগ বাঁটি লোৱা।" ৩০ তেতিয়া মফিবোচতে ৰজাক ক'লে,
"হয়, তেওঁ সকলোকে লওঁক; কাৰণ মোৰ প্ৰভু মহাৰাজ শান্তিৰে নিজ
গৃহলৈ উলটি আহিল।" ৩১ পাছে গিলিয়দীয়া বৰ্জ্জিলয়ে ৰোগেলীমৰ
পৰা আহি, যৰ্দ্দনৰ সিপাৰে ৰজাক আগবঢ়াই থবলৈ তেওঁৰ লগত যৰ্দ্দন
পাৰ হ'ল। ৩২ সেই বৰ্জ্জিলয় অতি বুঢ়া, আশী বছৰ বয়সীয়া, ৰজা
মহনয়িমত থকা কালত তেওঁ ৰজাক আহাৰ যোগাইছিল; কাৰণ তেওঁ
অতিশয় প্ৰতিপত্তিশালীলোক আছিল। ৩৩ পাছে ৰজাই বৰ্জ্জিলয়ক
ক'লে, "তুমি মোৰ লগত পাৰ হৈ আহা, মই তোমাক যিৰূচালেমত
মোৰ লগত থাকিবলৈ ব্যৱস্থা কৰি দিম।" ৩৪ কিন্তু বৰ্জ্জিলয়ে ৰজাক
ক'লে, "মোৰ আয়ুসৰ নো আৰু কিমান দিন আছে, যে, মই মহাৰাজৰ
লগত যিৰূচালেমলৈ উঠি যাম? ৩৫ এতিয়া মোৰ আশী বছৰ বয়স৷ মই

জানো ভাল-বেয়া ভেদ কৰিব পাৰোঁ? বা যি ভোজন কৰোঁ আৰু যি পান
কৰোঁ, আপোনাৰ দাসে মই জানো তাৰ কিবা সোৱাদ বুজিব পাৰোঁ?
বা এতিয়াও গায়ক আৰু গায়িকাসকলৰ গীতৰ সুৰ জানো শুনি পাওঁ?
এনে স্থলত আপোনাৰ দাস, মোৰ প্ৰভু মহাৰাজৰ ভাৰ মই কিয় নো
হম, কওঁকচোন? ৩৬ আপোনাৰ দাস মই কেৱল মহাৰাজক যৰ্দ্দন পাৰ
কৰি লৈ আহিম৷ ৰজাই ইয়াৰ সলনি কেলেই নো এনে অনুগ্ৰহ কৰিব
লাগে? ৩৭ কিন্তু মিনতি কৰোঁ, আপোনাৰ এই দাসক ঘৰলৈ উলটি
যাবলৈ দিয়ক, যাতে মই নিজ নগৰত, নিজ পিতৃ-মাতৃৰ মৈদামৰ
কাষতেই মৰিম। কিন্তু চাওক, এয়া আপোনাৰ দাস কিমহম৷ ইয়াক
মোৰ প্ৰভু মহাৰাজৰ লগত পাৰ হৈ যাবলৈ দিয়ক আৰু আপোনাৰ
দৃষ্টিত যিহকে ভাল দেখে, আপুনি ইয়ালৈ তাকেই কৰক।" ৩৮ ৰজাই
উত্তৰ দি ক'লে, "কিমহম মোৰ লগত পাৰ হৈ যাব, তুমি যিহকে ভাল
দেখা মই ইয়ালৈ তাকে কৰিম আৰু তুমি মোক যি কৰিবলৈ কোৱা,
মই তোমালৈ চাই তাকেই কৰিম।" ৩৯ পাছে সকলো মানুহে যৰ্দ্দন
পাৰ হ'ল আৰু ৰজায়ো পাৰ হ'ল; পাছত ৰজাই বৰ্জ্জিলয়ক চুমা খাই
বিদায় দিলে৷ তেওঁ নিজ ঠাইলৈ উভটি গ'ল। ৪০ এইদৰে ৰজাই
গিলগললৈ পাৰ হৈ গ'ল আৰু কিমহমেও তেওঁৰ লগত পাৰ হৈ গ'ল৷
যিহূদাৰ সকলো লোক আৰু ইস্ৰায়েলৰ অৰ্দ্ধেক লোকে ৰজাক পাৰ কৰি
নিলে। ৪১ পাছে চোৱা, ইস্ৰায়েলৰ সকলো লোকে ৰজাৰ ওচৰলৈ আহি
ৰজাক ক'লে, "আমাৰ ভাই যিহূদাৰ লোকসকলে আপোনাক চুৰ কৰি,
মহাৰাজক, আপোনাৰ পৰিয়ালক, আৰু দায়ূদৰ লগত তেওঁৰ সকলো
লোকক, কিয় যৰ্দ্দন পাৰ কৰি আনিলে?" ৪২ তাতে যিহূদাৰ সকলো
লোকে ইস্ৰায়েলৰ লোকসকলক উত্তৰ দি ক'লে, "কাৰণ ৰজা আমাৰ
ওচৰ-সম্বন্ধীয়া৷ তেন্তে এই কথাতে তোমালোকৰ কিয় খং উঠিছে?
আমি জানো ৰজাৰ কিবা খাইছোঁ নাইবা ৰজাই জানো কিবা খৰচ দিব
লগীয়া হৈছে?" ৪৩ পাছে ইস্ৰায়েল লোকসকলে যিহূদাৰ লোকসকলক
উত্তৰ দি ক'লে, "ৰজাৰ লগত আমাৰ সম্বন্ধত দহ ভাগ ফৈদ আছে,
গতিকে দায়ূদত তোমালোকতকৈ আমাৰো ততোধিক স্বত্ব আছে৷
এই হেতুকে আমাক কিয় হেয়জ্ঞান কৰিলাহঁক? আৰু আমাৰ ৰজাক

ওভোটাই অনাৰ কথা জানো প্ৰথমে আমি কোৱা নাছিলো?” এতিয়া
ইস্ৰায়েল লোকসকলৰ কথাতকৈ যিহূদাৰ লোকসকলৰ কথাবোৰ বৰ
কৰ্কশহে হৈ উঠিল।

২০ সেই সময়ত সেই ঠাইতে বিন্যামীনীয়া বিখ্ৰীৰ পুত্ৰ চেবা নামেৰে
এজন অশান্তি কৰোঁতা লোক আছিল৷ তেওঁ শিঙা বজাই ক'লে,
“দায়ূদত আমাৰ কোনো ভাগ নাই আৰু যিচয়ৰ পুত্ৰত আমাৰ একো
উত্তৰাধধিকাৰো নাই৷ হে ইস্ৰায়েল, আপোনালোক প্ৰতিজনে নিজ
নিজ ঘৰলৈ ঘূৰি যাওঁক।” ২ গতিকে ইস্ৰায়েলৰ সকলো লোক দায়ূদৰ
পৰা আতৰি গ'ল আৰু বিখ্ৰীৰ পুত্ৰ সেই চেবাৰ পাছত যাবলৈ ল'লে৷
কিন্তু যৰ্দ্দনৰ পৰা যিৰূচালেমলৈকে যিহূদাৰ লোকসকলে নিজ ৰজাত
আসক্ত হৈ থাকিল। ৩ পাছত যেতিয়া দায়ুদ যিৰূচালেমলৈ নিজৰ
ঘৰলৈ আহিল তেতিয়া তেওঁ ঘৰ ৰাখিবৰ অৰ্থে নিজৰ যি দহ জনী
উপপত্নী থৈ গৈছিল, তেওঁলোকক আনি এটা ঘৰত পহৰা দি বন্ধ কৰি
হ'ল। তেওঁ তেওঁলোকৰ প্ৰয়োজনৰ ব্যৱস্থা কৰিছিল, কিন্তু তেওঁলোকৰ
সৈতে আৰু গমন নকৰিলে। এই দৰে তেওঁলোক বিধৱা অৱস্থাত মৰণ
কাললৈকে আবদ্ধ হৈ থাকিল। ৪ তেতিয়া ৰজাই অমাচাক ক'লে, “তিনি
দিনৰ ভিতৰত যিহূদাৰ লোকসকলক মতাই মোৰ ওচৰত গোট খুৱাবা;
আৰু তুমি নিজেও এই ঠাইত উপস্থিত হ'বা।” ৫ তেতিয়া অমাচাই
যিহূদাৰ লোকসকলক মতাই গোট খুৱাবলৈ গ'ল কিন্তু ৰজাই নিৰূপিত
কৰা কালতকৈ তেওঁৰ অধিক পলম হ'ল। ৬ তেতিয়া দায়ূদে অবীচয়ক
ক'লে, “এতিয়া বিখ্ৰীৰ পুত্ৰ চেবাই অবচালোমতকৈ আমাৰ অধিক
অনিষ্ট কৰিব৷ তুমি তোমাৰ প্ৰভুৰ দাসবোৰক লৈ তেওঁৰ পাছে পাছে
খেদি যোৱা; নহ'লে তেওঁ গড়েৰে আবৃত হোৱা কোনো নগৰ পাই
আমাৰ চকুৰ আগৰ পৰা সাৰি যাব।” ৭ তেতিয়া যোৱাবৰ লোকসকল,
লগত কৰেথীয়া আৰু পেলেথীয়া লোকসকলৰ সৈতে আৰু সকলো বীৰ
পুৰুষ তেওঁৰ পাছে পাছে ওলাই গ'ল৷ তেওঁলোকে বিখ্ৰীৰ পুত্ৰ চেবাৰ
পাছে পাছে খেদি যাবৰ বাবে যিৰূচালেমৰ পৰা গ'ল। ৮ যেতিয়া
তেওঁলোকে গিবিয়োনত থকা মহা-শিলটোৰ ওচৰ পালে তেতিয়া
অমাচাই তেওঁলোকক লগ কৰিবলৈ আহিল৷ যোৱাবৰ ককালত ৰণৰ

সাজ বন্ধা আছিল আৰু তাতে নিজৰ ককালত বন্ধা ফাকত থকা
তৰোৱালে সৈতে এগছ টঙালি আছিল৷ তেওঁ আগবাঢ়ি যাওঁতে, সেই
তৰোৱাল মাটিত পৰিল। ৯ তেতিয়া যোৱাবে অমাচাক ক'লে, "হে
মোৰ ভাই, তুমি মঙ্গলে আছা নে?" এইবুলি যোৱাবে সাদৰেৰে তেওঁৰ
সোঁ হাতেৰে অমাচাৰ ডাঢ়িত ধৰি তেওঁক চুমা খাবলৈ ল'লে৷ ১০
অমাচাই কিন্তু যোৱাবৰ বাওঁ হাতত থকা ডেগাৰলৈ মন নকৰিলে৷
তাতে যোৱাবে তাৰে তেওঁৰ পেটত খোঁচ মাৰি মাটিত তেওঁৰ নাড়ী-
ভুঁৰু উলিয়াই পেলালে৷ যোৱাবে পুনৰাই তেওঁক খোঁচ নামাৰিলে আৰু
তাতে অমাচাৰ মৃত্যু হ'ল। তাৰ পাছত যোৱাব আৰু তেওঁৰ ভায়েক
অবীচয়ে বিখ্ৰীৰ পুত্ৰ চেবাৰ পাছত খেদি গ'ল। ১১ তেতিয়া অমাচাৰ
ওচৰত যোৱাবৰ এজন থিয় দি থকা লোকে ক'লে, "যি জনে যোৱাবক
ভাল পায় আৰু দায়ূদৰ ফলীয়া হয়, তেওঁ যোৱাবক অনুসৰণ কৰ'ক।"
১২ তেতিয়ালৈকে অমাচা ৰাজ বাটৰ মাজত নিজৰ তেজেৰে লেটি-
পেটি হৈ পৰি আছিল৷ তেতিয়া সেই লোকজনে আটাই লোকক ৰৈ
থকা দেখি, অমাচাক বাটৰ পৰা পথাৰলৈ আঁতৰাই নিলে আৰু তেওঁৰ
ওপৰত এখন কাপোৰ পেলাই ঢাকি দিলে কিয়নো তেওঁৰ ওচৰেদি
যোৱা সকলো লোকক থিয় হৈ ৰৈ থকা দেখিলে। ১৩ যেতিয়া অমাচাক
ৰাজবাটৰ পৰা নিয়া হ'ল, তেতিয়া আটাই লোক বিখ্ৰীৰ পুত্ৰ চেবাক
খেদি যাবৰ কাৰণে যোৱাবৰ পাছে পাছে গ'ল। ১৪ পাছত চেবাই
ইস্ৰায়েলৰ সকলো ফৈদৰ মাজেদি আবেল আৰু বৈৎ-মাখালৈকে আৰু
সকলো বেৰীয়াসকলৰ অঞ্চললৈকে গ'ল; আৰু তেওঁলোকেও গোট
খাই তেওঁৰ পাছত গ'ল। ১৫ তাতে তেওঁলোকে আহি বৈৎমাখাৰ
আবেলত চেবাক বেৰি ধৰিলে আৰু নগৰৰ বিবুদ্ধে এক হাদাম বান্ধিলে৷
তেতিয়া যোৱাবৰ লগত থকা সৈন্যদলৰ সকলোৱে সেই হাদাম গড়টো
ভাঙিবলে চেষ্টা কৰিলে। ১৬ তেতিয়া নগৰৰ ভিতৰৰ পৰা এজনী জ্ঞানী
মহিলাই ৰিঙিয়াই ক'লে, "শুনক, অনুগ্ৰহ কৰি শুনক, হে যোৱাব! মই
যেন আপোনাৰ লগত কথা-বতৰা হ'ব পাৰোঁ সেই বাবে মোৰ ওচৰলৈ
আঁহক৷" ১৭ তেতিয়া যোৱাব তাইৰ ওচৰলৈ গ'ল, তাতে সেই মহিলা
গৰাকীয়ে তেওঁক সুধিলে, "আপুনি যোৱাব হয় নে?" তেওঁ উত্তৰ দি

ক'লে, “হয়, মই হওঁ।” তাতে মহিলা গৰাকীয়ে ক'লে, “আপোনাৰ
বেটীৰ কথাবোৰ শুনক।” তেওঁ ক'লে, “বাৰু কওঁক, মই শুনি আছোঁ।”
১৮ তেতিয়া সেই মহিলা গৰাকীয়ে ক'লে, “পূৰ্বকালত লোকসকলে এই
কথা কৈছিল, বোলে, ‘আবেলত নিশ্চয়কৈ দিহা অনুসন্ধান কৰক,’
আৰু পাছত সেইদৰেই কাৰ্যৰ বিষয় সিদ্ধ হ'ব। ১৯ আমি ইস্ৰায়েলৰ
মাজত আটাইতকৈ শান্ত আৰু বিশ্বাসী নগৰ এখনৰ লোক সমূহ হওঁ৷
আপুনি ইস্ৰায়েলৰ মাতৃস্বৰূপ এখন নগৰ নষ্ট কৰিবলৈ চেষ্টা কৰিছে৷
আপুনি কিয় যিহোৱাৰ উত্তৰাধিকাৰ গ্ৰাস কৰিব বিচাৰিছে?” ২০ তাতে
যোৱাবে উত্তৰ দি ক'লে, “গ্ৰাস বা বিনষ্ট, দূৰ হওঁক, মোৰ পৰা দূৰে
থাকক। ২১ এনে কথা নহয় কিন্তু বিখ্ৰীৰ পুত্ৰ চেবা নামেৰে এজন
ইফ্ৰয়িম পৰ্ব্বতীয়া অঞ্চলৰ লোক দায়ুদ ৰজাৰ বিৰুদ্ধে হাত দাঙিছে৷
আপোনালোকে অকল তেওঁকে সমৰ্পণ কৰি দিয়ক আৰু তাতে মই
নগৰ খনৰ পৰা গুচি যাম।” তেতিয়া সেই মহিলা গৰাকীয়ে যোৱাবক
ক'লে, “চাওঁক, গড়ৰ ওপৰেদি তেওঁৰ মূৰটো আপোনালৈ পেলাই
দিয়া যাব।” ২২ তেতিয়া সেই মহিলা গৰাকীয়ে তেওঁৰ সকলো জ্ঞানত
লোকসকলৰ ওচৰলৈ গ'ল৷ তেওঁলোকে বিখ্ৰীৰ পুত্ৰ চেবাৰ মূৰ কাটি
যোৱাবৰ ওচৰলৈ বাহিৰলৈ পেলাই দিলে। তেতিয়া তেওঁ শিঙা বজালে
আৰু তেওঁৰ লোকসকলৰ প্ৰতিজনে সেই নগৰখন এৰি নিজ নিজ
ঘৰলৈ গ'ল। পাছত যোৱাব যিৰূচালেমলৈ ৰজাৰ ওচৰলৈ ঘূৰি আহিল৷
২৩ সেই সময়ত যোৱাব ইস্ৰায়েলৰ প্ৰধান সেনাপতি আছিল আৰু
যিহোয়াদাৰ পুত্ৰ বনায়া কৰেথীয়া আৰু পেলেথীয়াসকলৰ ওপৰত
অধ্যক্ষ আছিল৷ ২৪ অদোৰাম বন্দী কাম কৰি দিব লগীয়াসকলৰ
অধ্যক্ষ আছিল আৰু অহীলূদৰ পুত্ৰ যিহোচাফট্ ইতিহাস লিখক আছিল৷
২৫ চেয়া ৰাজলিখক আৰু চাদোক আৰু অবিয়াথৰ পুৰোহিত আছিল।
২৬ আৰু যায়ীৰীয়া ঈৰাও দায়ূদৰ মূখ্য-মন্ত্ৰী আছিল।

**২১** দায়ূদৰ ৰাজত্ব কালত ক্ৰমান্বয়ে তিনি বছৰলৈকে আকাল হ'ল
আৰু সেয়ে দায়ুদে যিহোৱাক বিচাৰিলে৷ তেতিয়া যিহোৱাই ক'লে,
“চৌল আৰু তেওঁৰ ৰক্তপাতী বংশৰ কাৰণে এই আকাল তোমালৈ
হৈছে কিয়নো তেওঁ গিবিয়োনীয়া লোকসকলক বধ কৰিলে।” ২

সেই সময়ত গিবিয়োনীয়া সকল ইস্রায়েলৰ সন্তান সকলৰ মাজৰ
নাছিল; কিন্তু ইমোৰীয়া সকলৰ অৱশিষ্ট থকা ভাগৰ লোক। ইস্রায়েলৰ
সন্তান সকলে তেওঁলোকক বধ নকৰিবলৈ শপত কৰিলে কিন্তু চৌলে
ইস্রায়েলৰ সন্তান সকলৰ আৰু যিহূদাৰ পক্ষে উদ্যোগী হৈ তেওঁলোকক
বধ কৰিবলৈ চেষ্টা কৰিছিল। ৩ সেই কাৰণে দায়ূদে গিবিয়োনীয়া
সকলক একেলগে মাতি আনি ক'লে, "মই আপোনালোকৰ বাবে
কি কৰিম? আপোনালোকে যেন যিহোৱাৰ সেই দয়া আৰু বিশ্বাসৰ
উত্তৰাধিকাৰী সকলক আশীৰ্ব্বাদ কৰে তাৰ বাবে মই কেনেকৈ
প্ৰায়শ্চিত্ত কৰিম?" ৪ তেতিয়া গিবিয়োনীয়া সকলে তেওঁক ক'লে,
"চৌল কি তেওঁৰ বংশৰ সৈতে আমাৰ ৰূপ বা সোণৰ বিষয়ে বিবাদ
নাই আৰু ইস্রায়েলৰ মাজত কোনো লোকক বধ কৰা আমাৰ কাম
নহয়।" দায়ূদে উত্তৰ দি ক'লে, "আপোনালোকে যিয়ে বিচাৰে মই
সেয়াই আপোনালোকৰ বাবে কৰিম।" ৫ তাতে তেওঁলোকে ৰজাক
ক'লে, "যি মানুহ জনে আমাক সংহাৰ কৰিছিল আৰু আমি বিনষ্ট হৈ
ইস্রায়েলৰ সীমাৰ মাজৰ কোনো প্ৰদেশত অৱশিষ্ট নাথাকিবৰ কাৰণে
আমাৰ বিৰুদ্ধে কু-মন্ত্ৰণা কৰিছিল - ৬ সেই মানুহ জনৰ বংশধৰ মাজৰ
সাত জন লোকক আমাৰ হাতত সমৰ্পণ কৰি দিয়া হওঁক তাতে আমি
যিহোৱা মনোনীত লোক চৌলৰ, গিবিয়াত যিহোৱা উদ্দেশে আৰি
থম।" তেতিয়া ৰজাই ক'লে, "মই তোমালোকলৈ তেওঁলোকক সমৰ্পণ
কৰিম।" ৭ কিন্তু দায়ূদৰ আৰু চৌলৰ পুত্ৰ যোনাথনৰ মাজত যিহোৱাৰ
নামেৰে শপতৰ কাৰণে, ৰজাই চৌলৰ নাতিয়েক যোনাথনৰ পুত্ৰ
মফিবোচতক দয়া কৰি ৰক্ষা কৰিলে। ৮ কিন্তু অয়াৰ জীয়েক ৰিস্পাই
চৌলৰ ঔৰসত অৰ্মণী আৰু মফীবোচৎ নামেৰে যি দুজন পুত্ৰক জন্ম
দিছিল আৰু মহোলাতীয়া বাৰ্জিল্লয়ৰ পুতেক অদ্ৰীয়েলৰ ঔৰসত চৌলৰ
জীয়েক মীখলে যি পাঁচোটা পুত্ৰ জন্ম দিছিল, এই সকলক ল'লে।
৯ দায়ূদে তেওঁলোকক গিবিয়োনীয়া সকলৰ হাতত শোধাই দিলে।
তেতিয়া তেওঁলোকে পৰ্বতত যিহোৱাৰ সন্মুখত তেওঁলোকক আৰি
হ'ল; আৰু তাতে সেই সাত জনৰ একে সময়তে মৃত্যু হ'ল। শস্য
দাবৰ কালত অৰ্থাৎ যৱ ধান দাবলৈ আৰম্ভ কৰা কালতে তেওঁলোকক

বধ কৰা হ’ল। ১০ পাছত অয়াৰ জীয়েক ৰিস্পাই চট কাপোৰ লৈ,
শস্য দোৱাৰ আৰম্ভণৰে পৰা তেওঁলোকৰ ওপৰত আকাশৰ পৰা
বৰষুণ নপৰালৈকে শিলৰ ওপৰত নিজৰ কাৰণে সেই চটখন পাৰি
ল’লে। তাই দিনত আকাশৰ চৰাইবোৰক তেওঁলোকৰ ওপৰত পৰিব
নিদিলে আৰু ৰাতি বনৰীয়া জন্তুক ওচৰলৈ আহিব নিদিলে। ১১
পাছত চৌলৰ উপপত্নী অয়াৰ জীয়েক ৰিস্পাই যি কাৰ্য কৰিছিল তাক
দায়ুদক জনোৱা গ’ল। ১২ তেতিয়া পলেষ্টীয়া সকলে গিলবোৱাত
চৌলক বধ কৰা দিনা, চৌল আৰু তেওঁৰ পুত্ৰ যোনাথনক আৰি থোৱা
বৈৎচানৰ চকৰ পৰা, তেওঁলোকৰ হাড় চুৰ কৰি অনা যাবেচ-গিলিয়দৰ
গৃহস্থসকলৰ হাতৰ পৰা দায়ূদে সেইবোৰ লৈ আনিলে৷ ১৩ তেওঁ সেই
ঠাইৰ পৰা চৌলৰ আৰু তেওঁৰ পুত্ৰ যোনাথনৰ হাড়বোৰ আনিলে
আৰু তেওঁলোকে আৰি থোৱা সেই সাতজন লোকসকলৰো হাড়বোৰ
গোটাই হ’ল। ১৪ তেওঁলোকে চৌল আৰু তেওঁৰ পুত্ৰ যোনাথনৰ
হাড়বোৰ বিন্যামীন দেশৰ চেলাত চৌলৰ পিতৃ কীচৰ মৈদামত মৈদাম
দিলে৷ তেওঁলোকে ৰজাৰ আজ্ঞা অনুসাৰে সকলো কাৰ্য কৰিলে। তাৰ
পাছত ঈশ্বৰে দেশৰ বাবে তেওঁলোকৰ প্ৰাৰ্থনা গ্ৰহণ কৰিলে। ১৫
তেতিয়া পলেষ্টীয়াসকলৰ লগত ইস্ৰায়েলৰ আকৌ যুদ্ধ লাগিল৷ সেই
বাবে দায়ূদে নিজৰ সৈন্যসকলৰ সৈতে নামি গৈ পেলেষ্টীয়া সকলৰ
সৈতে যুদ্ধ কৰিলে৷ তাতে দায়ুদ ক্লান্ত হ’ল। ১৬ এনে সময়ত তিনিশ
চেকল জোখৰ পিতলৰ বৰছা ধৰা আৰু নতুন তৰোৱালেৰে সাজু হোৱা
যিচবী-বনোব নামেৰে ৰফাৰ এজন সন্তানে দায়ূদক বধ কৰিবলৈ
মন কৰিলে। ১৭ কিন্তু চৰূয়াৰ পুত্ৰ অবীচয়ে তেওঁক ৰক্ষা কৰি সেই
পলেষ্টীয়া জনক আঘাত কৰি তেওঁক বধ কৰিলে। তেতিয়া দায়ূদৰ
লোকসকলে তেওঁৰ আগত শপত কৰি ক’লে, “ইস্ৰায়েলৰ প্ৰদীপ
নুনুমাবৰ কাৰণে আপুনি আমাৰ লগত আৰু যুদ্ধলৈ নাযাব।” ১৮ সেই
যুদ্ধৰ পাছত আৰু এবাৰ গোবত পলেষ্টীয়াসকলৰ লগত যুদ্ধ হয়৷
সেই সময়ত হূচাতীয়া চিব্বকয়ে চফ নামেৰে ৰফাৰ এজন সন্তানক
বধ কৰিলে। ১৯ পুনৰাই পলেষ্টীয়াসকলৰ সৈতে গোবত আকৌ
যুদ্ধ হোৱাত, যাৰে-ওৰগীমৰ পুত্ৰ বৈৎলেহেমীয়া ইলহাননে গাতীয়া

গলিয়াথক বধ কৰিলে যাৰ বৰছাৰটো কুৰা টোলোঠাৰ সমান আছিল।
২০ তাৰ পাছত আন এখন যুদ্ধ গাতত হয়৷ সেই যুদ্ধ অতি দীৰ্ঘকায় আৰু
প্ৰত্যেক হাতে-ভৰি ছটা ছটা আঙুলি সৰ্বমুঠ চৌবিশটা আঙুলি থকা
এজন লোক আছিল৷ তেওঁ ৰফাৰ এজন সন্তান আছিল। ২১ যেতিয়া
তেওঁ ইস্ৰায়েলক ঠাট্টা-বিদ্রূপ কৰিলে, তেতিয়া দায়ূদৰ ককায়েক
চিমিয়াৰ পুত্ৰ যোনাথনে তেওঁক বধ কৰিলে। ২২ এই লোকসকল
গাতত ৰফাৰ সন্তান সকল আছিল আৰু তেওঁলোকক দায়ুদ আৰু
তেওঁৰ সৈন্যসকলৰ হাতত বধ কৰা হ'ল।

২২ যি কালত যিহোৱাই দায়ূদক চৌল আৰু আন আন শত্ৰুৰ হাতৰ
পৰা উদ্ধাৰ কৰিছিল, সেই সময়ত তেওঁ যিহোৱাৰ উদ্দ্যেশ্যে এই
কথাৰে গীত গালে৷ ২ তেওঁ প্ৰাৰ্থনা কৰি ক'লে, "যিহোৱা মোৰ শিলা,
মোৰ কোঁঠ আৰু মোৰ উদ্ধাৰকৰ্তা। ৩ মোৰ ঈশ্বৰ, মোৰ শিলা; তেৱেঁই
মোৰ আশ্ৰয়স্থান। তেওঁ মোৰ ঢাল, মোৰ পৰিত্ৰাণৰ শিং, মোৰ উচ্চ দুৰ্গ
আৰু মোৰ আশ্ৰয়স্থান, তুমি মোৰ ত্ৰাণকৰ্তা; তুমি মোক উপদ্ৰৱৰ পৰা
নিস্তাৰ কৰোঁতা। ৪ প্ৰশংসাৰ যোগ্য যি যিহোৱা, মই তেওঁৰ আগত
প্ৰাৰ্থনা কৰোঁ; তাতে মোৰ শত্ৰুবোৰৰ পৰা মই উদ্ধাৰ পাওঁ। ৫ কিয়নো
মৃত্যুৰ ঢৌৱে মোক বেৰি ধৰিছিল৷ অধৰ্মৰূপ ঢল পানীয়ে মোক অভিভূত
কৰিছিল। ৬ চিয়োলৰ জৰীয়ে মোক আগুৰি ধৰিছিল; মৃত্যু-পাশে
মোক মেৰাই ধৰিছিল। (Sheol h7585) ৭ সঙ্কতৰ কালত মই যিহোৱাৰ
আগত প্ৰাৰ্থনা কৰিলোঁ; মোৰ ঈশ্বৰৰ আগত মই কাতৰোক্তি কৰিলোঁ;
তাতে তেওঁ নিজ মন্দিৰৰ পৰা মোৰ মাত শুনিলে, তেওঁৰ সন্মুখত কৰা
মোৰ কাতৰোক্তি তেওঁৰ কাণত পৰিল। ৮ তেতিয়া পৃথিৱী কঁপিল আৰু
জোকাৰ খালে৷ স্বৰ্গৰ মূলবোৰো জোকাৰ খাই লৰিল; কিয়নো তেওঁৰ
ক্ৰোধ জ্বলি উঠিছিল। ৯ তেওঁ নাকৰ পৰা ধোঁৱা ওলাই ওপৰলৈ গ'ল,
তেওঁৰ মুখৰ পৰা ওলোৱা অগ্নিয়ে গ্ৰাস কৰিলে; তাৰ পৰা জ্বলি থকা
আঙঠা ওলাই জ্বলি থাকিল। ১০ তেতিয়া তেওঁ আকাশ মুকলি কৰি
নামিল, তেওঁৰ চৰণৰ তলত ঘোৰ অন্ধকাৰ আছিল। ১১ তেওঁ কৰূবত
উঠিছিল আৰু উৰি ফুৰিছিল, এনে কি, বায়ুৰূপ ডেউকাৰে উৰা মাৰি
আহি তেওঁ দৰ্শন দিছিল। ১২ আৰু তেওঁ অন্ধকাৰক নিজৰ চাৰিওফালে

তম্বুৰূপে স্থাপন কৰি ল'লে, তেওঁ আকাশৰ মেঘত গধুৰ জলৰাশি
একত্রিত কৰিলে৷ ১৩ তেওঁৰ সন্মুখত থকা দীপ্তিৰ পৰা জ্বলন্ত আঙঠা
ওলাই পৰিল। ১৪ যিহোৱাই আকাশৰ পৰা গৰ্জ্জন কৰিলে৷ সৰ্ব্বোপৰি
জনে আটাহ পাৰিলে। ১৫ তেওঁ বাণ মাৰি তেওঁৰ শত্রুসকলক গোট
গোট কৰিলে, তেওঁ বজ্র মাৰি তেওঁলোকক ব্যাকুল কৰিলে। ১৬
যিহোৱাৰ ভৎসৰ্নাত আৰু তেওঁৰ নাকৰ নিশ্বাস প্ৰশ্বাসৰ বায়ুত, সমুদ্ৰৰ
তলি দেখা গ'ল, পৃথিৱীৰ মূলবোৰ অনাবৃত হ'ল। ১৭ তেওঁ ওপৰৰ পৰা
হাত মেলিলে; আৰু মোক ধৰিলে! তেওঁ মহাজল সমূহৰ পৰা মোক
তুলি আনিলে৷ ১৮ তেওঁ মোক বলৱন্ত শত্রুৰ পৰা উদ্ধাৰ কৰিলে, মোৰ
বৈৰীবোৰৰ পৰা মোক উদ্ধাৰ কৰিলে; কিয়নো তেওঁলোক মোতকৈ
অতি বলৱন্ত আছিল। ১৯ মোৰ বিপদৰ কালত তেওঁলোকে মোক
আক্রমণ কৰিছিল, কিন্তু যিহোৱা মোৰ উপকাৰক হ'ল। ২০ তেওঁ মোক
বহল ঠাইলৈ উলিয়াই আনিলে৷ তেওঁ মোক উদ্ধাৰ কৰিলে, কিয়নো
তেওঁ মোত সন্তোষ পালে। ২১ যিহোৱাই মোৰ ধাৰ্মিকতা অনুসাৰে
মোক পুৰস্কাৰ দিলে৷ মোৰ হাতৰ শুদ্ধতাৰ দৰে মোক ফল দিলে। ২২
কিয়নো মই যিহোৱাৰ পথত চলিলোঁ, আৰু কুকৰ্ম কৰি মোৰ ঈশ্বৰক
এৰা নাই৷ ২৩ কাৰণ তেওঁৰ সকলো শাসন মোৰ সন্মুখত আছে; মই
তেওঁৰ বিধিবোৰ মোৰ পৰা দূৰ কৰা নাই৷ ২৪ তেওঁৰ দৃষ্টিত মই সিদ্ধও
আছিলোঁ, আৰু নিজ অপৰাধৰ পৰা মই নিজকে আঁতৰে ৰাখিলোঁ। ২৫
এই হেতুকে যিহোৱাই মোৰ ধাৰ্মিকতা অনুসাৰে মোক ফল দিলে,
তেওঁৰ চকুৰ আগত থকা মোৰ হাতৰ শুদ্ধতাৰ দৰেই মোক ফল দিলে।
২৬ যি জন বিশ্বাসযোগ্য, তেওঁলৈ তুমি নিজৰ বিশ্বাসযোগ্যতা প্ৰকাশ
কৰা, যি জন নিৰ্দোষী, তেওঁলৈ তুমি নিৰ্দোষীতা প্ৰকাশ কৰা৷ ২৭ তুমি
শুচি লোকলৈ নিজৰ শুচিতা প্ৰকাশ কৰা, কিন্তু বিপথগামী লোকলৈ
তুমি চতুৰ ব্যৱহাৰ কৰোঁতা। ২৮ তুমি দুখ পোৱা লোকক পৰিত্ৰাণ
দিওঁতা, কিন্তু গৰ্ব্বী চকুক তল কৰোঁতা। ২৯ কিয়নো হে যিহোৱা, তুমি
মোৰ প্ৰদীপ৷ আৰু যিহোৱাই মোৰ অন্ধকাৰক পোহৰ কৰি দিয়ে৷ ৩০
কিয়নো তোমাৰ সহায়ত মই সৈন্যদলৰ বিৰুদ্ধে খেদি যাওঁ; আৰু মোৰ
ঈশ্বৰৰ সহায়ত মই জাপ মাৰি গড় পাৰ হওঁ। ৩১ ঈশ্বৰৰ পথ হ'লে

সিদ্ধ৷ যিহোৱাৰ বাক্য নিভাঁজ৷ তেওঁ প্ৰত্যেক লোকৰ ঢালস্বৰূপ; যি জন
তেওঁত থাকে, তেওঁ তাৰ আশ্ৰয়স্থান। ৩২ কিয়নো যিহোৱাৰ বাহিৰে
কোন ঈশ্বৰ আছে? আমাৰ ঈশ্বৰত বাহিৰে কোন শিলা আছে? ৩৩
ঈশ্বৰ মোৰ দৃঢ় আশ্ৰয়; তেওঁ সিদ্ধ লোকক নিজ পথত চলায়। ৩৪ তেওঁ
মোৰ ভৰি হৰিণীৰ ঠেঙৰ সদৃশ কৰে আৰু মোক পৰ্বতৰ ওখ ঠাইত থিয়
কৰায়। ৩৫ তেওঁ মোৰ হাতক ৰণ কৰিবলৈ শিক্ষা দিয়ে, তাতে মোৰ
বাহুৱে পিতলৰ ধনুকো বেকা কৰিব পাৰে৷ ৩৬ তুমি মোক পৰিত্ৰাণ
স্বৰূপ ঢাল দিলা, আৰু তোমাৰ সাহাৰ্যই মোক মহান কৰিলে। ৩৭ তুমি
মোৰ ভৰিৰ তলৰ ঠাই বহল কৰিলা, তাতে মোৰ ভৰি পিছলি নগ’ল।
৩৮ মই মোৰ শত্ৰুবোৰৰ পাছত খেদি গৈ তেওঁলোকক বিনষ্ট কৰিলোঁ৷
তেওঁলোক বিনষ্ট নহ’লমানে মই উভটি নাহিলোঁ। ৩৯ মই তেওঁলোকক
সংহাৰ কৰি এনেকৈ গুড়ি কৰিলোঁ যে, তেওঁলোকে উঠিব নোৱাৰিলে৷
এনে কি, তেওঁলোক মোৰ ভৰিৰ তলত পতিত হ’ল। ৪০ কিয়নো যুদ্ধ
কৰিবৰ অৰ্থে তুমি মোক বলৰূপ কটিবন্ধন দিলা; তুমি মোৰ বিৰুদ্ধে
উঠাবোৰক, মোৰ তলতীয়া কৰিলা। ৪১ তুমি মোৰ শত্ৰুবোৰক মোলৈ
পিঠি দিয়ালা; তাতে মোক ঘিণ কৰোঁতাবোৰক মই সংহাৰ কৰিলোঁ।
৪২ তেওঁলোকে সহায়ৰ বাবে আটাহ পাৰিলে, কিন্তু পৰিত্ৰাণ কৰোঁতা
কোনো নাছিল৷ তেওঁলোকে যিহোৱালৈ আটাহ পাৰিলে, কিন্তু তেওঁ
তেওঁলোকক উত্তৰ নিদিলে। ৪৩ তাতে পৃথিৱীৰ ধূলিৰ নিচিনাকৈ মই
তেওঁলোকক গুড়ি কৰিলোঁ, আৰু বাটৰ বোকাৰ দৰে মই তেওঁলোকক
গচকিলোঁ আৰু মৰ্দ্দন কৰিলোঁ। ৪৪ তুমি মোৰ লোকসকলৰ বিবাদৰ
পৰা মোক ৰক্ষা কৰিলা৷ তুমি মোৰ ফৈদক উত্তৰাধিকাৰ হ’বলৈ
ৰাখিলা৷ মোৰ অপৰিচিত এটা জাতিক মোৰ দাস হ’বলৈ দিলা। ৪৫
বিদেশীসকল মোৰ বশীভূত হ’ল৷ শুনামাত্ৰকে তেওঁলোকে মোৰ আজ্ঞা
পালন কৰিলে। ৪৬ বিদেশীসকল নিৰুৎসাহী হৈ নিজ নিজ দুৰ্গৰ পৰা
কঁপি কঁপি ওলাই আহিল। ৪৭ যিহোৱা জীৱন্ত! মোৰ শিলাৰ প্ৰশংসা
হওঁক৷ মোৰ পৰিত্ৰাণৰ শিলা, ঈশ্বৰ গৌৰৱান্বিত হওঁক; ৪৮ যিজন
সৰ্ব্বশক্তিমান ঈশ্বৰে মোৰ হৈ প্ৰতিকাৰ সাধে আৰু লোকসকলক মোৰ
ভৰিৰ তলত চাপৰ কৰে, ৪৯ আৰু মোৰ শত্ৰুবোৰৰ মাজৰ পৰা মোক

উলিয়াই আনে৷ এনে কি, তুমি মোৰ বিৰুদ্ধে উঠাবোৰৰ ওপৰত মোক
তোলা, আৰু উপদ্ৰৱকাৰীবোৰৰ পৰাও মোক উদ্ধাৰ কৰা। ৫০ এই
হেতুকে হে যিহোৱা, মই জাতিবোৰৰ মাজত তোমাক ধন্যবাদ কৰিম;
আৰু তোমাৰ নামৰ উদ্দেশে প্ৰশংসাৰ গান কৰিম। ৫১ ঈশ্বৰে নিজ
ৰজাক মহা-পৰিত্ৰাণ দিয়ে, আৰু তেওঁ নিজৰ অভিষিক্ত জনক দয়া
কৰে। তেৱেঁই সদাকাললৈকে দায়ুদ আৰু তেওঁৰ বংশক দয়া কৰিব।"
২৩ এয়ে দায়ূদৰ শেহতীয়া কথা। যিচয়ৰ পুত্ৰ দায়ুদ, উচ্চ সন্মানীয়
পুৰুষ, যাকোবৰ ঈশ্বৰৰ দ্বাৰাই অভিষিক্ত এজন, এজন ইস্ৰায়েলৰ
মধুৰ স্তুতি গীত গাওঁতা৷ ২ "মোৰ দ্বাৰাই যিহোৱাৰ আত্মাই কথা
ক'লে, তেওঁৰ বাক্য মোৰ জিভাত আছিল৷ ৩ ইস্ৰায়েলৰ ঈশ্বৰে
ক'লে, 'ইস্ৰায়েলৰ শিলাই মোক ক'লে, লোকসকলৰ ওপৰত যি জনে
ন্যায়ৰূপে ৰাজত্ব কৰে, যি জনে ঈশ্বৰলৈ ভয় ৰাখি শাসন কৰে, ৪
তেওঁ সূৰ্য উদয় হোৱা কালৰ সেই প্ৰভাতৰ দীপ্তিস্বৰূপ, মেঘ নথকা
প্ৰভাত সদৃশ, যেতিয়া পৃথিৱীত তৃণ গজে, বৰষুণৰ পাছত সূৰ্যৰ
কিৰণৰ দ্বাৰাই। ৫ স্বৰূপেই ঈশ্বৰৰ সন্মুখত মোৰ বংশ তেনে নহয়
নে? কিয়নো তেওঁ মোৰ লগত এটি চিৰস্থায়ী নিয়ম স্থাপন কৰিলে,
সেয়ে সম্পূৰ্ণ শৃঙ্খলাযুক্ত আৰু সত্য? কাৰণ মোলৈ প্ৰতিজ্ঞা কৰা
মোৰ সকলো পৰিত্ৰাণ আৰু মঙ্গল তেওঁ বৃদ্ধি নকৰিব নে? ৬ কিন্তু
আটাই দুষ্ট লোক পেলাব লগা কাঁইট স্বৰূপ, কিয়নো সেইবোৰক
হাতেৰে ধৰিব নোৱাৰি৷ ৭ কিন্তু যি মানুহে তেওঁলোকক চুব, তেওঁ
লোহা আৰু বৰছাৰ কুৰা হাতত লব লাগিব৷ পাছত তেওঁলোক থকা
ঠাইতে তেওঁলোকক জুইৰে নিচেইকৈ পুৰা যাব'।" ৮ দায়ূদৰ যি সকল
বীৰ আছিল, তেওঁলোকৰ নাম এই। তথমোনীয়া যোচেব-বচেবৎ
সেনাপতি সকলৰ অধ্যক্ষ৷ তেওঁ একে সময়তে আঠ শ লোকক বধ
কৰিলে। ৯ তেওঁৰ পাছত অহোহীয়া দোদয়ৰ পুত্ৰ ইলিয়াজ; দায়ূদৰ
তিনিজন ক্ষমতাশালী পুৰুষসকলৰ মাজৰ এজন৷ যিজন যুদ্ধলৈ গোট
খোৱা পলেষ্টীয়াসকলক ইতিকিং কৰিছিল আৰু যি সময়ত ইস্ৰায়েল
লোকসকল যুদ্ধলৈ উঠি গৈছিল, সেই সময়ত দায়ূদৰ লগত আছিল৷
১০ ইলিয়াজে উঠি হাত শ্ৰান্ত নোহোৱামানলৈকে পলেষ্টীয়াসকলক

প্ৰহাৰ কৰি আছিল। যিদিনালৈকে তৰোৱালখন তেওঁৰ হাতত লাগি
ৰ'ল; সেই দিনাই যিহোৱাই মহানিস্তাৰ আনিলে, আৰু লোকসকলে
কেৱল লুট কৰিবলৈ ইলিয়াজৰ পাছে পাছে গ'ল। ১১ আৰু তেওঁৰ
পাছত হৰাৰীয়া আগিৰ পুত্ৰ চম্পা আছিল। যি ঠাইত মচুৰ মাহৰ খেতি
আছিল, সেই ঠাইতে পলেষ্টীয়াসকলে গোট খাই দল পাতিছিল আৰু
সৈন্যসকল ফিলিষ্টীয়াসকলৰ আগৰ পৰা পলাইছিল৷ ১২ কিন্তু চম্পা
খেতিৰ মাজত থিয় হৈ তাক ৰক্ষা কৰিলে, আৰু পলেষ্টীয়াসকলক বধ
কৰিলে; এইদৰে যিহোৱাই মহা-নিস্তাৰ আনিলে। ১৩ ত্রিশজন সৈন্যৰ
মাজৰ তিনি জন লোক শস্য দোৱা সময়ত অদুল্লম গুহাত থকা দায়ূদৰ
ওচৰলৈ গ'ল৷ তেতিয়া পলেষ্টীয়াসকলৰ দলে ৰফায়ীম উপত্যকাত
ছাউনি পাতি আছিল। ১৪ সেই কালত দায়ুদ দৃঢ় সংৰক্ষিত এটা গুহাত
আছিল, আৰু তেতিয়া পলেষ্টীয়াসকলৰ প্ৰহৰী সৈন্যদলে বৈৎলেহেমত
প্রতিষ্ঠা কৰিছিল। ১৫ পাছত দায়ূদে পানীৰ বাবে বৰ হাবিয়াহ কৰি
ক'লে, “অহ, বৈৎলেহেমৰ দুৱাৰৰ ওচৰত থকা সেই নাদৰ পৰা পানী
খাবলৈ আনি দিয়া হ'লে, মই কেনে ভাল পালোঁহেঁতেন!” ১৬ তাতে
সেই তিনিজন বীৰ পুৰুষে পলেষ্টীয়াসকলৰ সৈন্যবোৰক ভেদ কৰি গৈ,
বৈৎলেহেমৰ দুৱাৰৰ ওচৰত থকা সেই নাদৰ পানী তুলি আনিলে৷
তেওঁলোকে সেই পানী দায়ূদৰ ওচৰলৈ লৈ আহিল, কিন্তু তেওঁ তাক
পান কৰিবলৈ ইচ্ছা নকৰিলে৷ বৰং তাক যিহোৱাৰ উদ্দেশে ঢালি
দিলে। ১৭ তেতিয়া তেওঁ ক'লে, “হে যিহোৱা, এনে কাৰ্য মোৰ পৰা দূৰ
হওঁক, যে ইয়াক মই পান কৰিম, এয়ে জানো আচলতে নিজ প্ৰাণ লৈ
যোৱা লোকসকলৰ তেজ নহয়?” এই কাৰণে তেওঁ তাক পান কৰিবলৈ
ইচ্ছা নকৰিলে। সেই বীৰ তিনিজনেই এই ক্ষমতাশালী কৰ্ম কৰিছিল।
১৮ আৰু চৰূয়াৰ পুত্ৰ যোৱাবৰ ভায়েক অবীচয়, এই তিনিজনৰ ওপৰত
সেনাধ্যক্ষ আছিল৷ এবাৰ তেওঁ তিনি শ লোকৰ বিৰুদ্ধে নিজৰ বৰছা
চলাই সিহঁতক বধ কৰিছিল৷ আৰু তিনি জনৰ মাজত প্ৰায়েই তেওঁৰ
নাম হৈছিল। ১৯ তেওঁ জানো সেই তিনি জনৰ মাজত অধিক মৰ্য্যদা
পোৱা লোক নহয়? এই হেতুকে তেওঁ তেওঁলোকৰ ওপৰত সেনাধ্যক্ষ
হ'ল৷ তথাপিও তেওঁ এই প্ৰথম তিনি জনৰ সমানে প্ৰখ্যাত হোৱা

নাছিল। ২০ এজন কবচেলীয়া বীৰপুৰুষ, যিহোয়াদাৰ পুত্ৰ যি বনায়া,
তেওঁ অনেক মহৎ কাৰ্য কৰিছিল৷ তেওঁ মোৱাবীয়া অৰীয়েলৰ দুজন
পুতেকক বধ কৰিছিল৷ তাৰ বাহিৰেও হিম পৰা কালত তেওঁ গৈ গাতৰ
ভিতৰত থকা এটা সিংহ মাৰিছিল। ২১ আৰু তেওঁ এজন বৰ সুন্দৰ
মিচৰীয়াক বধ কৰিছিল৷ সেই মিচৰীয়াৰ হাতত এপাত বৰছা আছিল,
কিন্তু তেওঁ এডাল লাখুটি লৈ সেই মিচৰীয়াজনৰ সৈতে যুঁজিছিল৷
তেওঁ মিচৰীয়াজনৰ হাতৰ পৰা বৰছাপাত কাঢ়ি লৈ, তেওঁৰ বৰছাৰেই
তেওঁক বধ কৰিলে। ২২ যিহোয়াদাৰ পুত্ৰ বনায়াই এই বীৰত্বপূৰ্ণ
কাৰ্যবোৰ কৰিলে আৰু তেওঁ সেই তিনি জন বীৰৰ লগে লগে তেওঁৰো
নাম হ'ল। ২৩ তেওঁ ত্ৰিশ জনকৈ অধিক মৰ্য্যদা পোৱা হ'ল যদিও তেওঁ
প্ৰথম তিনি জনৰ সমান হোৱা নাছিল। তথাপিও দায়ূদে তেওঁক নিজৰ
গা-ৰক্ষীয়া সৈন্যদলৰ ওপৰত অধ্যক্ষ পাতিলে। ২৪ যোৱাবৰ ভায়েক
অচাহেল ত্ৰিশ জনৰ মাজৰ এজন আছিল; বৈৎলেহেমীয়া দোদৰ
পুত্ৰ ইলহানন, ২৫ হৰোদীয়া চম্মা, হৰাদীয়া ইলীকা, ২৬ পলটীয়া
হেলচ, তাকোইয়া ইক্কেচৰ পুত্ৰ ঈৰা, ২৭ অনাথোতীয়া অবীয়েজৰ,
হূচাতীয়া মবুন্নয়, ২৮ অহোহীয়া চলমোন, নটোফাতীয়া মহৰয়; ২৯
নটোফাতীয়া বানাৰ পুত্ৰ হেলেব, বিন্যামীনৰ সন্তান সকলৰ গিবিয়া-
নিবাসী ৰীবয়ৰ পুত্ৰ ইত্তয়, ৩০ পিৰাথোনীয়া বনায়া, গাচ উপত্যকা-
নিবাসী হিদ্দয়৷ ৩১ অৰ্বাতীয়া অবীঅলবোন, বৰ্হূমীয়া অজমাবৎ, ৩২
চালবোনীয়া ইলিয়হবা, বনে-যাচনেৰ পুত্ৰসকল যোনাথন; ৩৩ হৰাৰীয়া
চম্মা, অৰাৰীয়া চাৰৰৰ পুত্ৰ অহীয়াম, ৩৪ মাখাথীয়া অহচবয়ৰ পুত্ৰ
ইলীফেলট, গিলোনীয়া অহীথোফলৰ পুত্ৰ ইলীয়াম, ৩৫ কৰ্মিলীয়া
হিষো, অৰ্বীয়া পাৰয়, ৩৬ চোবা নিবাসী নাথনৰ পুত্ৰ ঈগাল, গাদীয়া
গোষ্ঠীৰ বানী, ৩৭ অম্মোনীয়া চেলক, আৰু চৰূয়াৰ পুত্ৰ যোৱাবৰ
অস্ত্ৰবাহন বেৰোতীয়া নহৰয়, ৩৮ যিত্ৰীয়া ঈৰা, যিত্ৰীয়া গাৰেব, ৩৯
আৰু হিত্তীয়া ঊৰিয়া; সৰ্ব্বমুঠ সাতত্ৰিশ জন।

**২৪** পাছত ইস্ৰায়েলৰ বিৰুদ্ধে যিহোৱাৰ ক্ৰোধ পুনৰায় জ্বলি উঠিল
আৰু তেওঁলোকৰ বিৰুদ্ধে দায়ূদৰ প্ৰবৃত্তি জন্মাই তেওঁ ক'লে, "ইস্ৰায়েল
আৰু যিহূদাক গৈ গণনা কৰা"। ২ তাতে ৰজাই তেওঁৰ ওচৰত থকা

প্ৰধান সেনাপতি যোৱাবক ক’লে, “মই ইস্ৰায়েলৰ লোকসকলৰ সংখ্যা
জানিবৰ বাবে, তুমি দানৰে পৰা বেৰ-চেবালৈকে ইস্ৰায়েলৰ সকলো
ফৈদৰ মাজত যোৱা আৰু তোমালোকে লোকসকলক গণনা কৰা।” ৩
তেতিয়া যোৱাবে ৰজাক ক’লে, “এতিয়া যিমান লোক আছে, আপোনাৰ
ঈশ্বৰ যিহোৱাই তাৰ এশ গুণ বৃদ্ধি কৰক আৰু মোৰ প্ৰভু মহাৰাজে
তাক চকুৰে চাওক; কিন্তু মোৰ প্ৰভু মহাৰাজে এনে কাৰ্যত কিয় সন্তোষ
পাইছে?” ৪ তথাপি যোৱাব আৰু সেনাপতিসকলৰ আগত ৰজাৰ
বাক্য প্ৰবল হ’ল; তাতে যোৱাব আৰু সেনাপতিসকলে ইস্ৰায়েলৰ
লোকসকলক গণনা কৰিবলৈ ৰজাৰ আগৰ পৰা গ’ল। ৫ পাছত
তেওঁলোকে যৰ্দ্দন পাৰ হৈ অৰোয়েৰৰ মাজত থকা নগৰ খনৰ সোঁফালে
ছাউনি পাতিলে; আৰু তেওঁলোকে গাদ ও যাজেৰলৈকে গ’ল। ৬ তাৰ
পাছত তেওঁলোকে গিলিয়দ আৰু দানযানলৈ গৈ ঘুৰি আহি চীদোনলৈ
গ’ল। ৭ তেওঁলোকে তূৰ দুৰ্গলৈ গ’ল আৰু হিব্বীয়া ও কনানীয়াসকলৰ
সকলো নগৰলৈও গ’ল; আৰু শেষত তেওঁলোকে আহি যিহূদাৰ দক্ষিণ
অঞ্চল বেৰ-চেবাত উপস্থিত হ’ল। ৮ এইদৰে তেওঁলোকে দেশৰ
সকলো ঠাইতে ফুৰি ন মাহ বিশ দিনৰ মুৰত যিৰূচালেমলৈ উভটি
আহিল। ৯ পাছত যোৱাবে গণনা কৰা লোকসকলৰ সংখ্যা ৰজাৰ
ওচৰত আনি দিলে; তাৰ মুঠ, ইস্ৰায়েলৰ তৰোৱাল ধৰোঁতা আঠ লাখ
বলৱান লোক, আৰু যিহূদাৰ পাঁচ লাখ লোক। ১০ এইদৰে দায়ূদে
লোকসকলক গণনা কৰোঁৱাৰ পাছত, তেওঁৰ মনে তেওঁক দোষী
কৰিলে। তেতিয়া দায়ূদে যিহোৱাক ক’লে, “এই কৰ্ম কৰি মই মহা
পাপ কৰিলোঁ; কিন্তু হে যিহোৱা বিনয় কৰোঁ, নিজ দাসৰ অপৰাধ
ক্ষমা কৰা, কিয়নো মই অতিশয় অজ্ঞানৰ কৰ্ম কৰিলোঁ।” ১১ দায়ুদ
ৰাতিপুৱাতে উঠিল, দায়ূদৰ দৰ্শক গাদ ভাববাদী ওচৰলৈ যিহোৱাৰ
বাক্য আহিল, বোলে, ১২ “তুমি গৈ দায়ূদক কোৱা: ‘যিহোৱাই এই
কথা কৈছে, মই তোমাৰ আগত তিনিটা দণ্ড ৰাখিছো; তাৰ মাজৰ
এটা বাচি লোৱা, মই তাকেই তোমালৈ কৰিম’।” ১৩ তাতে গাদে
দায়ূদৰ ওচৰলৈ গৈ তেওঁক ক’লে, “তোমাৰ দেশত সাত বছৰ আকাল
হ’ব লাগে নে? বা তোমাৰ শত্ৰুবোৰ পাছে পাছে খেদি যাওঁতে, তুমি

সিহঁতৰ আগে আগে তিনি মাহলৈকে পলাই থাকিবা? নাইবা দেশত
তিনি দিনলৈকে মহামাৰী হ'ব? এতিয়া মোক পঠোৱা জনাক মই কি
উত্তৰ দিম, তাক এতিয়াই বিবেচনা কৰি চোৱা।" ১৪ তাতে দায়ূদে
গাদক ক'লে, "মই বৰ ঠেকত পৰিছোঁ৷ আমি যিহোৱাৰ হাতত পৰা
ভাল, কিয়নো তেওঁৰ দয়া প্ৰচুৰ, কিন্তু মোক মানুহৰ হাতত পৰিবলৈ
নিদিয়ক।" ১৫ গতিকে সেই ৰাতিপুৱাৰে পৰা নিৰূপিত সময়লৈকে
যিহোৱাই ইস্ৰায়েললৈ মহামাৰী পঠিয়ালে; তাতে দানৰে পৰা বেৰ-
চেবালৈকে সত্তৰ হাজাৰ লোকৰ মৃত্যু হ'ল। ১৬ পাছত যেতিয়া দূতে
যিৰূচালেমক বিনষ্ট কৰিবলৈ তাৰ ফাললৈ হাত মেলিলে, তেতিয়া
যিহোৱাই সেই আপদৰ বাবে খেদ কৰি সংহাৰক দূতক ক'লে, "এয়ে
জুৰিছে! এতিয়া তোমাৰ হাত কোঁচোৱা।" সেই সময়ত যিহোৱা সেই
দূত যিবুচীয়া অৰৌণাৰ মৰণা মৰা খলাৰ ওচৰত আছিল। ১৭ পাছত
যি দূতে সংহাৰ কৰিছিল, দায়ূদে সেই দূতক দেখি যিহোৱাক ক'লে
"মইহে পাপ কৰিলোঁ, মইহে অপৰাধী হলোঁ; কিন্তু এই মেৰ-ছাগবোৰে
কি কৰিলে? মই বিনয় কৰোঁ, তোমাৰ হাত মোৰেই বিৰুদ্ধে আৰু মোৰ
পিতৃ-বংশৰ বিৰুদ্ধে হওক!" ১৮ সেই দিনা গাদে দায়ূদৰ ওচৰলৈ
আহি তেওঁক ক'লে, "তুমি উঠি গৈ যিবুচীয়া অৰৌণাত মৰণা মৰা
খলাত যিহোৱাৰ উদ্দেশে এটা যজ্ঞবেদী স্থাপন কৰাগৈ।" ১৯ তাতে
যিহোৱাৰ আজ্ঞা অনুসাৰে গাদৰ নিৰ্দেশ মানি দায়ুদ উঠি গ'ল। ২০
পাছত অৰৌণাই চাই দেখিলে যে, তেওঁৰ ফালে ৰজা আৰু তেওঁৰ
দাসবোৰ আহি আছে, তাতে অৰৌণাই আহি ৰজাৰ আগত মাটিত
উবুৰি হৈ প্ৰণিপাত কৰিলে। ২১ আৰু অৰৌণাই ক'লে, "মোৰ প্ৰভু
মহাৰাজৰ নিজৰ দাসৰ ওচৰলৈ কি কাৰণে আহিল?" দায়ূদে ক'লে,
"লোকসকলৰ মাজৰ পৰা মহামাৰী গুচিবৰ বাবে যিহোৱাৰ উদ্দেশ্যে
এটা যজ্ঞবেদী নিৰ্ম্মাণ কৰিবৰ অৰ্থে মই তোমাৰ পৰা এই মৰণা মৰা
খলা কিনিবলৈ আহিছোঁ।" ২২ তেতিয়া অৰৌণাই দায়ূদক ক'লে,
"মোৰ প্ৰভু মহাৰাজৰ দৃষ্টিত যি ভাল হয়, তাকে লৈ উৎসৰ্গ কৰক;
চাওঁক, হোম-বলিৰ বাবে এই গৰুবোৰ আৰু খৰিৰ বাবে মৰণা মৰা যন্ত্ৰ
আৰু গৰুবোৰৰ যুঁৱলি আছে৷ ২৩ হে মহাৰাজ অৰৌণাই মহাৰাজক এই

সকলোকে দিছে।” অৰৌণাই ৰজাক পুনৰ ক’লে, “আপোনাৰ ঈশ্বৰ
যিহোৱাই আপোনাক গ্ৰহণ কৰক।” ২৪ ৰজাই অৰৌণাক ক’লে, “সেয়ে
হ’ব নোৱাৰে, মই মূল্য দি তোমাৰ পৰা সকলো কিনিহে লম; মই নিজ
ঈশ্বৰ যিহোৱাৰ উদ্দেশে বিনামূল্যে হোম-বলি উৎসৰ্গ নকৰোঁ।” এই
বুলি দায়ূদে পঞ্চাশ চেকল ৰূপ দি, সেই মৰণা মৰা খলা আৰু গৰুবোৰ
কিনি ল’লে। ২৫ আৰু দায়ূদে সেই ঠাইতে যিহোৱাৰ উদ্দেশ্যে এটা
যজ্ঞবেদী নিৰ্ম্মাণ কৰি, হোম-বলি আৰু মঙ্গলাৰ্থক বলি উৎসৰ্গ কৰিলে।
তাতে যিহোৱাই দেশৰ পক্ষে প্ৰাৰ্থনা শুনিলে আৰু ইস্ৰায়েলৰ পৰা
মহামাৰী গুচিল।

# ১ ৰাজাবলি

১ পাছত ৰজা দায়ুদ বুঢ়া হৈ আহিল আৰু অতিশয় বৃদ্ধ হোৱাৰ বাবে
তেওঁৰ গাত অনেক কাপোৰ দিলেও উম নোপোৱা হ'ল। ২ এই
হেতুকে তেওঁৰ দাসবোৰে তেওঁক ক'লে, "আমাৰ প্ৰভু মহাৰাজৰ বাবে
এজনী কুমাৰী যুৱতী বিচাৰি চোৱা যাওঁক। তেতিয়া তাই মহাৰাজৰ
সন্মূখত থাকি ৰজাৰ আলপৈচান ধৰাৰ লগতে আমাৰ প্ৰভু মহাৰাজৰ
গাত উম পাবলৈ তেওঁৰ বুকুত শয়ন কৰিব।" ৩ সেয়েহে তেওঁলোকে
ইস্ৰায়েলৰ গোটেই অঞ্চলত সুন্দৰী ছোৱালী বিচাৰিবলৈ ধৰিলে৷
তেতিয়া তেওঁলোকে চূনেমীয়া অবীচগক বিচাৰি পালে আৰু ৰজাৰ
ওচৰলৈ তেওঁক লৈ আহিল৷ ৪ এই ছোৱালীজনী অতিশয় সুন্দৰী
আছিল৷ তেওঁ ৰজাৰ আলপৈচান ধৰিলে আৰু শুশ্ৰূষা কৰিলে, কিন্তু
তেওঁৰ সৈতে ৰজাই কোনো দৈহিক সম্পৰ্ক নাৰাখিলে। ৫ সেই কালত
হগ্গীতৰ পুত্ৰ অদোনীয়াই নিজকে গৌৰৱ কৰি ক'লে, "ৰজা ময়েই
হ'ম৷" এইবুলি নিজৰ আগে আগে যাবৰ বাবে পঞ্চাশ জন মানুহৰ
লগতে ৰথ আৰু অশ্বাৰোহী সৈন্যবোৰ যুগুত কৰি ৰাখিলে। ৬ তেওঁৰ
পিতৃয়ে কেতিয়াও তেওঁক কষ্ট দি এইদৰে কোৱা নাই, "তুমি কিয়
এইবোৰ কৰিছা?" অদোনিয়া দেখিবলৈ বৰ সুন্দৰ আছিল, তেওঁ
অৱচালোমৰ পাছত জন্মিছিল। ৭ তেওঁ অবিয়াথৰ পুৰোহিত আৰু
চৰূয়াৰ পুত্ৰ যোৱাবৰ লগত আলোচনা কৰিলে। তেতিয়া তেওঁলোকে
অদোনীয়াক অনুসৰণ কৰিলে আৰু তেওঁক সহায় কৰিলে। ৮ কিন্তু
চাদোক পুৰোহিত, যিহোয়াদাৰ পুত্ৰ বনায়া, নাথন ভাববাদী, চিমিয়ী,
ৰেয়ী আৰু যি বীৰসকল দায়ূদৰ লগত আছিল, তেওঁলোকে অদোনিয়াক
অনুসৰণ নকৰিলে। ৯ পাছত অদোনিয়াই অয়িন-ৰোগেলৰ কাষত থকা
জোহেলৎ শিলৰ ওচৰত ভেড়া, ছাগলী, ষাঁড় আৰু হৃষ্টপুষ্ট গৰু পোৱালি
বলিদান কৰিলে৷ আৰু নিজ ভাই ৰাজকোঁৱৰ সকলক আৰু ৰজাৰ দাস
যিহূদাৰ আটাই লোকক নিমন্ত্ৰণ কৰিলে। ১০ কিন্তু নাথন ভাববাদীক,
বনায়াক, বীৰসকলক আৰু নিজ ভায়েক চলোমনক নিমন্ত্ৰণ নকৰিলে।
১১ তেতিয়া নাথনে চলোমনৰ মাক বৎচেবাক ক'লে, "আমাৰ প্ৰভু
দায়ুদে নজনাকৈ হগ্গীতৰ পুতেক অদোনিয়া যে ৰজা হল, ইয়াক জানো

তুমি শুনা নাই? ১২ এই হেতুকে আহাঁ, তুমি নিজৰ আৰু তোমাৰ পুত্ৰ
চলোমনৰ প্ৰাণ ৰক্ষা কৰিবলৈ, মই এতিয়া তোমাক পৰামৰ্শ দিওঁ৷ ১৩
দায়ুদ ৰজাৰ ওচৰলৈ যোৱা; আৰু তেওঁক কোৱাগৈ, যে, 'হে মোৰ
প্ৰভু মহাৰাজ, আপুনি জানো শপত খাই আপোনাৰ দাসীক জানো
কোৱা নাছিল, 'মোৰ পাছত তোমাৰ পুত্ৰ চলোমন অৱশ্যে ৰজা হ'ব
আৰু তেৱেঁই মোৰ সিংহাসনত বহিব?' তেনেহ'লে অদোনিয়াই কিয়
ৰাজত্ব কৰি আছে?' ১৪ আৰু চোৱা, সেই ঠাইত ৰজাৰ সৈতে তোমাৰ
কথা শেষ নৌ হওঁতেই, মই তোমাৰ পাছত সোমাই গৈ তোমাৰ কথা
নিশ্চিত কৰিম।" ১৫ পাছত সেই মতে, বৎচেবা ভিতৰ-কোঠালিত
সোমাই ৰজাৰ ওচৰলৈ গ'ল৷ ৰজা অতিশয় বৃদ্ধ হোৱাত চূনেমীয়া
অবিচগে ৰজাৰ শুশ্ৰূষা কৰি আছিল। ১৬ তেতিয়া বৎচেবাই মূৰ
দোঁৱাই ৰজাৰ আগত প্ৰণিপাত কৰিলে। তেতিয়া ৰজাই সুধিলে,
"তোমাক কি লাগে?" ১৭ তাই তেওঁক ক'লে, "হে মোৰ প্ৰভু, ঈশ্বৰ
যিহোৱাৰ নামেৰে শপত খাই আপোনাৰ বেটীৰ আগত কৈছিল যে,
'মোৰ পাছত তোমাৰ পুত্ৰ চলোমন ৰজা হ'ব আৰু মোৰ সিংহাসনৰ
ওপৰত তেৱেঁই বহিব।' ১৮ কিন্তু এতিয়া, হে মোৰ প্ৰভু মহাৰাজ,
চাওঁক, আপুনি নজনাকৈয়েই অদোনীয়া ৰজা হ'ল৷ ১৯ অধিককৈ ষাঁড়,
হৃষ্টপুষ্ট গৰু পোৱালি, মেৰ-ছাগ আৰু ছাগলী বলিদান কৰি সকলো
ৰাজকোঁৱৰ সকলৰ লগতে অবিয়াথৰ পুৰোহিত আৰু প্ৰধান সেনাপতি
যোৱাবক নিমন্ত্ৰণ কৰিলে, কিন্তু আপোনাৰ দাস চলোমনক নিমন্ত্ৰণ
নকৰিলে। ২০ হে মোৰ প্ৰভু মহাৰাজ, আপোনাৰ পাছত মোৰ প্ৰভু
মহাৰাজৰ সিংহাসনত কোন বহিব, সেই বিষয়ে আপুনিয়ে তেওঁলোকক
জনাওক; তেওঁলোকে আপোনাৰ পৰাই শুনিবলৈ বাট চাই আছে।
২১ আপুনি যদি ইয়াকে নকৰে, তেনেহলে মোৰ প্ৰভু মহাৰাজ ওপৰ-
পিতৃসকলৰ লগত যেতিয়া ওপৰ-পিতৃসকলৰ সৈতে নিদ্ৰিত হ'ব,
তেতিয়া মই আৰু মোৰ পুত্ৰ চলোমন অপৰাধী হিচাবে গণিত হ'ব।"
২২ এইদৰে তেওঁ ৰজাৰ লগত কথা হৈ থাকোঁতেই নাথন ভাববাদী
ভিতৰলৈ সোমাই আহিল। ২৩ তেতিয়া দাসবোৰে ৰজাক ক'লে,
"চাওঁক, নাথন ভাববাদী আহিছে।" পাছত ভাববাদী নাথন ৰজাৰ

সন্মূখলৈ গ'ল আৰু আঁঠুকাঢ়ি ৰজাৰ আগত প্ৰণিপাত কৰিলে। ২৪
নাথনে ক'লে, "হে মোৰ প্ৰভু মহাৰাজ, 'মোৰ পাছত অদোনিয়া ৰজা
হ'ব আৰু মোৰ সিংহাসনত সিয়েই বহিব, এনে বুলি আপুনি ক'লে নে
কি?' ২৫ কিয়নো তেওঁ আজি নামি গৈছে আৰু অধিককৈ ষাঁড়, হৃষ্টপুষ্ট
গৰু পোৱালি, মেৰ-ছাগ আৰু ছাগলী বলিদান কৰিছে। তেওঁ তাৰ্তে
সকলো ৰাজকোঁৱৰ, সেনাপতি আৰু অবিয়াথৰ পুৰোহিতকো নিমন্ত্ৰণ
কৰিছে। আৰু চাওঁক, তেওঁলোকে তেওঁৰ আগত ভোজন পান কৰিছে
আৰু কৈছে, 'অদোনিয়া ৰজা চিৰজীৱি হওঁক!' ২৬ কিন্তু আপোনাৰ
দাস যি মই, মোক আৰু চাদোক পুৰোহিত, যিহোয়াদাৰ পুত্ৰ বনায়া
আৰু আপোনাৰ দাস চলোমনক হ'লে তেওঁ নিমন্ত্ৰণ নকৰিলে। ২৭ এই
কাৰ্য মোৰ প্ৰভু মহাৰাজৰ আদেশত হ'ল নেকি? মোৰ প্ৰভু মহাৰাজৰ
পিছত আপোনাৰ সিংহাসনত কোন বহিব, সেই বিষয়ে আপোনাৰ
দাসবোৰক আপুনি জানো জনোৱা নাই? ২৮ তেতিয়া ৰজা দায়ূদে
উত্তৰ দি ক'লে, "বৎচেবাক মোৰ ওচৰলৈ মাতি আনা।" তেতিয়া তেওঁ
ৰজাৰ ওচৰলৈ আহি ৰজাৰ আগত থিয় হ'ল৷ ২৯ ৰজাই শপত কৰি
ক'লে, "যিজন সৰ্ব্বশক্তিমান ঈশ্বৰে সকলো সঙ্কটৰ পৰা মোৰ প্ৰাণ
মুক্ত কৰিলে, সেই জীৱন্ত যিহোৱাৰ শপত, ৩০ 'মোৰ পাছত তোমাৰ
পুত্ৰ চলোমন ৰজা হ'ব আৰু সিয়েই মোৰ পদত মোৰ সিংহাসনত
বহিব,' এই বুলি তোমাৰ আগত ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাৰ নাম
লৈ যি শপত কৰিছিলোঁ, আজিয়েই সেই দৰে কাৰ্য কৰিম।" ৩১
তেতিয়া বৎচেবাই আঁঠুকাঢ়ি মাটিত মুৰ লগাই ৰজাৰ সন্মূখত প্ৰণিপাত
কৰিলে আৰু ক'লে, "মোৰ প্ৰভু ৰজা দায়ুদ চিৰজীৱি হওঁক।" ৩২
পাছত ৰজা দায়ুদ ক'লে, "চাদোক পুৰোহিতক, নাথন ভাববাদীক
আৰু যিহোয়াদাৰ পুত্ৰ বনায়াক মোৰ ওচৰলৈ মাতি আনা৷" তেতিয়া
তেওঁলোক ৰজাৰ ওচৰলৈ আহিল। ৩৩ তাতে ৰজাই তেওঁলোকক
ক'লে, "তোমালোকে নিজ প্ৰভুৰ দাসবোৰক লগত লৈ, মোৰ পুত্ৰ
চলোমনক মোৰ নিজৰ খছৰত তুলি গীহোনলৈ লৈ যোৱা৷ ৩৪ সেই
ঠাইতে ইস্ৰায়েলৰ ওপৰত তেওঁক ৰজা অভিষেক কৰিবলৈ চাদোক
পুৰোহিত আৰু ভাববাদী নাথনক কোৱা আৰু শিঙা বজাই তোমালোকে

ক'বা, 'ৰজা চলোমন চিৰজীৱি হওক!' ৩৫ পাছত তোমালোকে তেওঁৰ
পাছে পাছে উঠি আহিবা; তেওঁ আহি মোৰ সিংহাসনত বহিব; কিয়নো
মোৰ সলনি তেওঁ ৰজা হ'ব, ইস্রায়েল আৰু যিহূদাৰ ওপৰত অধ্যক্ষ
হ'বলৈ মই তেওঁকেই নিযুক্ত কৰিলোঁ।" ৩৬ তেতিয়া যিহোয়াদাৰ
পুত্র বনায়াই উত্তৰ দি ৰজাক ক'লে, "সেই দৰে হওক! মোৰ প্রভু
মহাৰাজৰ ঈশ্বৰ যিহোৱায়ো সেইদৰে হওঁক বুলি কওঁক৷ ৩৭ যিহোৱা
যেনেকৈ মোৰ প্রভু মহাৰাজৰ লগত আছিল, তেনেকৈ চলোমনৰ
লগতো থাকক আৰু মোৰ প্রভু ৰজা দায়ূদৰ সিংহাসনতকৈ তেওঁৰ
সিংহাসন মহৎ কৰক।" ৩৮ পাছত চাদোক পুৰোহিত, নাথন ভাববাদী,
যিহোয়াদাৰ পুত্র বনায়া, কৰেথীয়া আৰু পেলেথীয়াসকল নামি গ'ল
আৰু খছৰৰ ওপৰত চলোমনক উঠাই লৈ তেওঁলোক গীহোনলৈ গ'ল।
৩৯ পাছত চাদোক পুৰোহিতে তেলেৰে ভৰা শিংটি তম্বুৰ পৰা লৈ
আহিল আৰু চলোমনক ৰজা অভিষেক কৰিলে। তেতিয়া তেওঁলোকে
শিঙা বজোৱাৰ পাছত সকলো লোকে ক'লে, "ৰজা চলোমন চিৰজীৱি
হওক!" ৪০ তাৰ পাছত সকলো লোক তেওঁৰ পাছে পাছে উঠি আহিল
আৰু লোক সকলে এনেদৰে বাঁহী বজালে আৰু মহা আনন্দ কৰিলে যে,
তাৰ শব্দত পৃথিৱী কপিঁ উঠিল। ৪১ তেতিয়া অদোনিয়া আৰু তেওঁৰ
লগত নিমন্ত্রিত লোকসকলে ভোজন শেষ কৰা মাত্রে সেই শব্দ শুনিলে।
আৰু যোৱাবে শিঙাৰ শব্দ শুনি ক'লে, "নগৰত ইমান কোলাহল কিয়
হৈছে?" ৪২ তেওঁ এই কথা কৈ থাকোতেই, অবিয়াথৰ পুৰোহিতৰ পুত্র
যোনাথন আহি পালে৷ তেতিয়া অদোনিয়াই তেওঁক ক'লে, "সোমাই
আহা; কিয়নো তুমি ভাল পুৰুষ আৰু শুভবাৰ্তা আনিছা।" ৪৩ তেতিয়া
যোনাথনে অদোনিয়াক উত্তৰ দি ক'লে, "সঁচাকৈ আমাৰ প্রভু ৰজা
দায়ূদে চলোমনক ৰাজ-পদত নিযুক্ত কৰিলে৷ ৪৪ আৰু ৰজাই চাদোক
পুৰোহিতক, নাথন ভাববাদীক, যিহোয়াদাৰ পুত্র বনায়া, কৰেথীয়া
আৰু পেলেথীয়াসকলক তেওঁৰ লগত পঠালে৷ আৰু তেওঁলোকে তেওঁক
ৰজাৰ খছৰত তুলিলে৷ ৪৫ আৰু চাদোক পুৰোহিত ও নাথন ভাববাদীয়ে
তেওঁক গীহোনত ৰজা অভিষেক কৰিলে আৰু তেওঁলোকে তাৰ পৰা
এনেদৰে আনন্দ কৰি কৰি উঠি আহিছে যে, তাৰে গোটেই নগৰ

প্ৰতিধ্বনিত হৈ উঠিল। তোমালোকে যি শব্দ শুনিছিলা, সেয়ে সেই
ধ্বনি। ৪৬ আৰু চলোমন ৰাজসিংহাসনত বহিল। ৪৭ তাৰ উপৰিও
ৰজাৰ দাসবোৰে আহি আমাৰ প্ৰভু ৰজা দায়ূদক এই বুলি আশীৰ্ব্বাদ
কৰিলে যে, 'আপোনাৰ ঈশ্বৰে আপোনাৰ নামতকৈয়ো চলোমনৰ নাম
মহান কৰক আৰু তেওঁৰ সিংহাসন আপোনাৰ সিংহাসনতকৈয়ো মহৎ
কৰক।' তেতিয়া ৰজাই শয্যাতে প্ৰণিপাত কৰিলে। ৪৮ আৰু ৰজায়ো
এই কথা ক'লে যে, 'ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱা ধন্য হওঁক; তেওঁ আজি
মোৰ সিংহাসনৰ ওপৰত বহিবলৈ মোক এজন দিলে আৰু মোৰ চকুৱে
তাক দেখিবলৈ পালো।" ৪৯ তেতিয়া অদোনিয়াৰ লগত থকা নিমন্ত্ৰিত
লোকসকলে ভয় পালে আৰু প্ৰতিজনে উঠি নিজ নিজ বাটে গুচি
গ'ল। ৫০ আৰু অদোনিয়াই চলোমনলৈ ভয় কৰি উঠি গৈ যজ্ঞবেদীৰ
শিঙত ধৰিলেগৈ। ৫১ পাছত চলোমনৰ আগত কোনোবাই এই কথা
ক'লে, "চাওঁক, অদোনিয়াই চলোমন ৰজালৈ ভয় কৰিছে; কিয়নো
চাওঁক, তেওঁ যজ্ঞবেদীৰ শিঙত ধৰি কৈছে, 'ৰজা চলোমনে তেওঁৰ
দাসক তৰোৱালেৰে বধ নকৰিবলৈ মোৰ আগত শপত কৰক।" ৫২
তাতে চলোমনে ক'লে, "তেওঁ যদি নিজকে ভাল পুৰুষ বুলি দেখুৱায়,
তেনেহ'লে তেওঁৰ এডালি চুলিও মাটিত নপৰিব, কিন্তু দুষ্টতা পোৱা
যায়, তেন্তে তেওঁৰ প্ৰাণ যাব।" ৫৩ এই বুলি ৰজা চলোমনে মানুহ
পঠিয়াই তেওঁক যজ্ঞবেদীৰ ওপৰৰ পৰা নমাই আনিলে। তাতে তেওঁ
আহি ৰজা চলোমনৰ আগত প্ৰণিপাত কৰিলে আৰু চলোমনে তেওঁক
ক'লে, "তোমাৰ ঘৰলৈ যোৱা।"

২ পাছত দায়ুদৰ মৃত্যুৰ দিন ওচৰ চপাত, তেওঁ নিজ পুত্ৰ চলোমনক
এই আদেশ দি ক'লে, ২ "সকলো মৰ্ত্যই যোৱা পথেৰে মই যাওঁ।
সেয়েহে তুমি বলৱান হোৱা আৰু নিজৰ পুৰুষালি দেখুউৱা। ৩ তোমাৰ
ঈশ্বৰ যিহোৱাৰ আজ্ঞাবোৰ পালন কৰা আৰু তেওঁৰ পথত চলিবা
আৰু তেওঁৰ, তেওঁৰ সকলো বিধি, আজ্ঞা, সিদ্ধান্ত আৰু তেওঁৰ নিয়ম-
চুক্তিবোৰ সাৱধানে পালন কৰিবা। যি বিষয়বোৰ মোচিৰ ব্যৱস্থা-
পুস্তকত লিখা আছে, তেনেদৰে তেওঁৰ বিধি, আজ্ঞা, শাসন-প্ৰণালী
আৰু সাক্ষ্য অনুসাৰে কাৰ্য কৰিবা আৰু সেই সেয়েহে তুমি যেন সকলো

কাৰ্যত আৰু যি যি ঠাইত যাবা সেই সকলোতে তুমি শান্তিপ্ৰাপ্ত হ’বা,
৪ যাতে মোৰ বিষয়ে যিহোৱাই কোৱা সেই বাক্য তেওঁ সিদ্ধ কৰিব
বোলে, ‘তোমাৰ সন্তান সকলে যদি সত্যভাৱে সকলো চিত্তেৰে আৰু
সকলো প্ৰাণেৰে মোৰ আগত চলে, তেনেহ’লে ইস্ৰায়েলৰ সিংহাসনত
বহিবলৈ তোমাৰ সম্বন্ধীয়া লোক এজনৰো অভাৱ নহ’ব’। ৫ চৰূয়াৰ
পুত্ৰ যোৱাবে মোৰ বিৰুদ্ধে যি কৰিলে, অৰ্থাৎ নেৰৰ পুত্ৰ অবনেৰ আৰু
যেথৰৰ পুত্ৰ অমাচা, ইস্ৰায়েলৰ এই দুজন সেনাপতিলৈ যি কৰিলে,
সেই বিষয়ে তুমি জানা। তেওঁ তেওঁলোকক বধ কৰি যুদ্ধৰ সময়ত
কৰাৰ দৰে শান্তিৰ সময়তো ৰক্তপাত কৰিলে আৰু সেই ৰক্ত তেওঁৰ
কটিবন্ধনত আৰু ভৰিৰ জোতাত লগালে। ৬ এতেকে তুমি নিজ জ্ঞান
অনুসাৰে তেওঁলৈ ব্যৱহাৰ কৰিবা আৰু তেওঁৰ পকা চুলি শান্তিৰে
মৈদামলৈ নামিব নিদিবা। (Sheol h7585) ৭ কিন্তু গিলিয়দীয়া বৰ্জ্জিলয়ৰ
পুত্ৰসকলক দয়া ব্যৱহাৰ কৰিবা আৰু তোমাৰ মেজত বহোঁতাসকলৰ
মাজত তেওঁলোককো ঠাই দিবা, কিয়নো তোমাৰ ককাই অবচালোমৰ
ভয়ত মই পলোৱা সময়ত তেওঁলোকে মোক সহায় কৰিবলৈ মোৰ
ওচৰলৈ আহিছিল। ৮ আৰু চোৱা, বহূৰীমত থকা বিন্যামীনীয়া গেৰাৰ
পুত্ৰ চিমিয়ী তোমাৰ লগত আছে, যি জনে মই মহনয়িমলৈ যোৱা দিনা
মোক অতিশয়ৰূপে শাও দিছিল। পাছত তেওঁ মোৰ লগত সাক্ষাৎ
কৰিবলৈ যৰ্দ্দনলৈ আহিছিল আৰু তাতে মই যিহোৱাৰ নামেৰে শপত
কৰি তেওঁক কলোঁ, ‘মই তোমাক তৰোৱালেৰে বধ নকৰোঁ।’ ৯ এই
হেতুকে তুমি এতিয়া তেওঁক নিৰ্দ্দোষী বুলি নাভাবিবা। তুমি এজন
জ্ঞানৱান লোক আৰু তেওঁলৈ কি কৰা উচিত, সেই বিষয়ে তুমি জানা।
তুমি তেওঁৰ পকা চুলি তেজেৰে সৈতে তেওঁক মৈদামলৈ নমাই দিবা।”
(Sheol h7585) ১০ তাৰ পাছত দায়ুদ নিজৰ পূৰ্ব-পুৰুষসকলৰ লগত
নিদ্ৰিত হ’ল; তেওঁক দায়ুদৰ নগৰত মৈদাম দিয়া হ’ল। ১১ দায়ুদে
ইস্ৰায়েলৰ ওপৰত চল্লিশ বছৰ ধৰি ৰাজত্ব কৰিছিল। তেওঁ সাত বছৰ
হিব্ৰোণত আৰু তেত্ৰিশ বছৰ যিৰূচালেমত ৰাজত্ব কৰিছিল। ১২ তেতিয়া
চলোমন নিজ পিতৃ দায়ুদৰ সিংহাসনত বহি তেওঁৰ ৰাজ্য অতিশয় দৃঢ়
কৰিলে। ১৩ সেই সময়ত হগ্গীতৰ পুত্ৰ অদোনিয়া চলোমনৰ মাতৃ

বৎচেবাৰ ওচৰলৈ আহিল। তেতিয়া বৎচেবাই সুধিলে, “ভালৰ অৰ্থে
আহিছা নে?” তেওঁ উত্তৰ দি ক’লে, “ভালৰ অৰ্থেই।” ১৪ তেওঁ পুনৰ
ক’লে, “তোমাৰ আগত কিছু কথা ক’ব লগা আছে।” ১৫ তেতিয়া
তেওঁ ক’লে, “কোৱা।” তেতিয়া অদোনিয়াই ক’লে, “তুমি জানা যে
ৰাজ্য মোৰহে আছিল, আৰু মইহে ৰজা হ’ম বুলি গোটেই ইস্রায়েলে
মোক আশা কৰিছিল৷ তথাপি ৰাজ্য সলনি হৈ মোৰ ভাইৰ হ’ল,
কিয়নো যিহোৱাৰ দ্বাৰাইহে তেওঁ হ’ল। ১৬ এই হেতুকে এতিয়া
মই তোমাৰ আগত এটি নিবেদন কৰিম৷ সেই বিষয়ে তুমি অসন্মত
নহ’বা।” তেতিয়া বৎচেবাই ক’লে, “কোৱা।” ১৭ তেতিয়া অদোনিয়াই
ক’লে, “অনুগ্ৰহ কৰি চলোমন ৰজাক কোৱা, তেওঁ যেন চূনেমীয়া
অবীচগক মোক পত্নীৰূপে দিয়ে; কিয়নো তেওঁ তোমাত অসন্মত
নহ’ব।” ১৮ তেতিয়া বৎচেবাই ক’লে, “বাৰু, মই তোমাৰ বিষয়ে
ৰজাৰ লগত কথা পাতিম।” ১৯ পাছত বৎচেবাই অদোনিয়াৰ বিষয়ে
কথা পাতিবলৈ চলোমন ৰজাৰ ওচৰলৈ গ’ল। তাতে ৰজাই তেওঁক
আগবাঢ়ি লগ ধৰিবলৈ উঠি আহিল, আৰু তেওঁৰ আগত প্ৰণিপাত
কৰিলে৷ তাৰ পাছত তেওঁ নিজৰ সিংহাসনত বহিল আৰু তেওঁৰ মাতৃৰ
কাৰণে এখন আসন যুগুত কৰিলে৷ তেওঁ ৰজাৰ সোঁফালে বহিল। ২০
তেতিয়া তেওঁ ক’লে, “মই তোমাৰ আগত এটি সৰু বিষয় নিবেদন
কৰোঁ; সেই বিষয়ে তুমি মোক অস্বীকাৰ নকৰিবা।” তেতিয়া ৰজাই
ক’লে, “হে মোৰ মাতৃ, খোজক; কিয়নো মই আপোনাক অস্বীকাৰ
নকৰোঁ।” ২১ তেতিয়া বৎচেবাই ক’লে, “তোমাৰ ককাই অদোনিয়া
লগত চূনেমীয়া অবীচগক পত্নীৰূপে দিয়া হওঁক৷” ২২ তেতিয়া চলোমন
ৰজাই উত্তৰ কৰি নিজৰ মাতৃক ক’লে, “আপুনি অদোনিয়াৰ কাৰণে
চূনেমীয়া অবীচগক কিয় খুজিছে? তেওঁৰ বাবে ৰাজ্যখনকো কিয়
খোজা নাই, কিয়নো তেওঁ মোৰ বৰ ককাই - এনে কি, অবিয়াথৰ
পুৰোহিত আৰু চৰূয়াৰ পুত্ৰ যোৱাবৰ কাৰণেও খোজক।” ২৩ তেতিয়া
চলোমন ৰজাই যিহোৱাৰ নামেৰে শপত লৈ ক’লে, “অদোনিয়াই
যদি নিজৰ প্ৰাণ হানি হোৱাকৈ এই কথা কোৱা নাই, তেনেহ’লে
ঈশ্বৰে মোলৈকো সেইদৰে কৰক বা তাতকৈয়ো অধিক দণ্ড দিয়ক।

২৪ এই হেতুকে এতিয়া যি জনে নিজৰ প্ৰতিজ্ঞা অনুসাৰে, মোক
সুস্থিৰ কৰি মোৰ পিতৃ দায়ুদৰ সিংহাসনত মোক বহুৱালে আৰু মোৰ
বংশ স্থাপন কৰিলে, সেই যিহোৱাৰ জীৱনৰ শপত, আজি নিশ্চয়ে
অদোনিয়াৰ প্ৰাণ-দণ্ড হ'ব।" ২৫ তেতিয়া চলোমন ৰজাই যিহোয়াদাৰ
পুত্ৰ বনায়াক পঠিয়াই দিলে; তেওঁ অদোনিয়াক বিচাৰি পাই তেওঁক
বধ কৰিলে। ২৬ পাছত ৰজাই অবিয়াথৰ পুৰোহিতক ক'লে, "তুমি
অনাথোতলৈ নিজ উত্তৰাধিকাৰৰ ভুমিলৈ যোৱা৷ তুমিও মৃত্যুৰ যোগ্য,
তথাপি মই এই সময়ত তোমাৰ প্ৰাণ দণ্ড নকৰোঁ, কাৰণ তুমি মোৰ
পিতৃ দায়ুদৰ আগত প্ৰভু যিহোৱাৰ চন্দুক বৈ নিছিলা আৰু মোৰ
পিতৃৰ দুখভোগৰ সকলো সময়ত তুমিও দুখ-ভোগ কৰিছিলা।" ২৭
এইদৰে চীলোত এলীৰ বংশৰ অহিতে যিহোৱাই কোৱা বাক্য যেন
সিদ্ধ হয়, এই কাৰণে চলোমনে অবিয়াথৰ পুৰোহিতক যিহোৱাৰ
পুৰোহিত পদৰ পৰা অব্যাহতি দিলে৷ ২৮ তেতিয়া সেই ঘটনাৰ বাতৰি
যোৱাবলৈ আহিল, কিয়নো যোৱাব যদিও অবচালোমৰ ফলীয়া নাছিল,
তথাপি অদোনীয়াৰ ফলীয়া হৈছিল। সেই কাৰণে তেওঁ যিহোৱাৰ
তম্বুৰ ভিতৰলৈ পলাই গৈ যজ্ঞবেদীৰ শিঙত ধৰি থাকিল৷ ২৯ পাছত
যোৱাব যিহোৱাৰ তম্বুৰ ভিতৰলৈ পলাই যোৱা আৰু তেওঁ যজ্ঞবেদীৰ
কাষত থকা এই বুলি কোনোবাই চলোমন ৰজাক খবৰ দিলে৷ তেতিয়া
তেওঁ যিহোয়াদাৰ পুত্ৰ বনায়াক পঠিয়াই ক'লে, "যোৱা তেওঁক বধ
কৰা।" ৩০ তেতিয়া বনায়াই যিহোৱাৰ তম্বুলৈ গ'ল, আৰু তেওঁক ক'লে,
"ৰজাই কৈছে, 'তুমি বাহিৰলৈ ওলাই আহাঁ'।" তেতিয়া তেওঁ ক'লে,
"নহয়, মই এই ঠাইতে মৰিম।" তেতিয়া বনায়া ৰজাৰ ওচৰলৈ উভতি
গ'ল, আৰু তেওঁক ক'লে, "যোৱাবে সেই যজ্ঞবেদীৰ কাষতে মৰিবলৈ
বিচাৰিছে৷" ৩১ তেতিয়া ৰজাই ক'লে, "তুমি তেওঁৰ কথাৰ দৰেই কাৰ্য
কৰা৷ তেওঁক বধ কৰি তেওঁক মৈদাম দিবা; সেইদৰে কৰিলে, যোৱাবে
যি নিৰ্দ্দোষীৰ ৰক্তপাত কৰিছিল, সেই ৰক্তপাতৰ দোষ তুমি মোৰ পৰা
আৰু মোৰ পিতৃ-বংশৰ পৰা দূৰ কৰিবা। ৩২ আৰু যিহোৱাই তেওঁৰ
ৰক্তপাতৰ দোষ তেওঁৰেই ওপৰত থ'ব, কিয়নো তেওঁ মোৰ পিতৃ
দায়ূদে নজনাকৈ, তেওঁ নিজতকৈ ধাৰ্মিক আৰু উত্তম দুজন লোকক,

অৰ্থাৎ ইস্ৰায়েলৰ প্ৰধান সেনাপতি নেৰৰ পুত্ৰ অবনেৰক আৰু যিহূদাৰ
প্ৰধান সেনাপতি যেথৰৰ পুত্ৰ অমাচাক আক্ৰমণ কৰি তৰোৱালৰ
দ্বাৰাই বধ কৰিছিল। ৩৩ তেওঁলোকৰ ৰক্তপাতৰ দোষ যেন যোৱাবৰ
মূৰত আৰু তেওঁৰ বংশৰ মূৰত চিৰকাললৈকে থাকক; কিন্তু দায়ুদ
আৰু তেওঁৰ সন্তান সকললৈ, তেওঁৰ বংশলৈ আৰু তেওঁৰ সিংহাসনলৈ
যিহোৱাৰ পৰা সৰ্ব্বদায় শান্তি হ'ব।" ৩৪ তেতিয়া যিহোয়াদাৰ পুত্ৰ
বনায়াই উঠি গ'ল, আৰু তেওঁক আক্ৰমণ কৰি বধ কৰিলে৷ পাছত
মৰুপ্ৰান্তত থকা তেওঁৰ নিজৰ ঘৰলৈ নিলে, আৰু তেওঁক তাতে মৈদাম
দিলে। ৩৫ পাছত ৰজাই তেওঁৰ পদত যিহোয়াদাৰ পুত্ৰ বনায়াক
প্ৰধান সেনাপতি পাতিলে আৰু ৰজাই অবিয়াথৰ পদত চাদোকক
পুৰোহিত নিযুক্ত কৰিলে। ৩৬ তাৰ পাছত ৰজাই মানুহ পঠিয়াই
চিমিয়ীক মতাই আনি ক'লে, "তুমি যিৰূচালেমত নিজৰ কাৰণে এটা
ঘৰ সাজা আৰু তাতে আহি বাস কৰা। সেই ঠাইৰ পৰা তুমি আন
কোনো ঠাইলৈ ওলাই নাযাবা। ৩৭ কিয়নো তুমি যিদিনা বাহিৰ হৈ
কিদ্ৰোণ জুৰি পাৰ হ'বা, সেইদিনা অৱশ্যে তোমাৰ প্ৰাণ যাব, সেই
বিষয়ে জানিবা; তেতিয়া তোমাৰ ৰক্তপাতৰ দোষ তোমাৰেই মূৰত
থাকিব।" ৩৮ গতিকে চিমিয়ীয়ে ৰজাক ক'লে, "আপুনি যি কথা কৈছে,
সেয়ে উত্তম৷ মোৰ প্ৰভু মহাৰাজে যেনেকৈ ক'লে, আপোনাৰ এই দাসে
সেইদৰেই কৰিব।" পাছত চিমিয়ীয়ে অনেক কাললৈকে যিৰূচালেমত
বাস কৰিলে। ৩৯ কিন্তু তিনি বছৰৰ মূৰত চিমিয়ীৰ দুজন দাসে
পলাই গৈ মাখাৰ পুত্ৰ আখীচ নামেৰে গাতৰ ৰজাৰ ওচৰলৈ গ'ল।
তেতিয়া লোকসকলে ক'লে "চোৱা, তোমাৰ বন্দীহঁত গাতত আছে",
এই বুলি কোনোবাই চিমিয়ীক ক'লে, ৪০ তেতিয়া চিমিয়ীয়ে উঠি গাধ
সজাই তেওঁৰ বন্দীবোৰ বিচাৰি গাতত থকা আখীচৰ ওচৰলৈ গ'ল,
আৰু গাতৰ পৰা তেওঁৰ বন্দীবোৰক লৈ আহিল। ৪১ পাছত চিমিয়ী
যিৰূচালেমৰ পৰা গাতলৈ গৈ উভতি অহাৰ কথা কোনোবাই আহি
ৰজা চলোমনক জনালে। ৪২ তেতিয়া ৰজাই মানুহ পঠিয়াই চিমিয়ীক
মতাই আনিলে, আৰু তেওঁক ক'লে, "যি দিনা তুমি বাহিৰ ওলাই
কোনো ফালে যাবা, সেইদিনা অৱশ্যে তোমাৰ প্ৰাণ যাব, এইদৰে

জানো যিহোৱাৰ নামেৰে তোমাক শপত দিয়া হোৱা নাই? আৰু এই
বিষয় নিশ্চিতভাৱে জানো তোমাক কোৱা হোৱা নাই? তেতিয়া তুমিও
কৈছিলা, ‘মই যি শুনিলোঁ, সেয়ে উত্তম’। ৪৩ এতিয়া যিহোৱাৰ নামেৰে
দিয়া শপত আৰু মই তোমাক দিয়া আজ্ঞা তুমি কিয় পালন কৰা নাই?”
৪৪ ৰজাই চিমিয়ীক পুনৰ ক’লে, “মোৰ পিতৃ দায়ূদলৈ কৰা তোমাৰ যি
দুষ্টতাৰ বিষয়ে তোমাৰ মনে সাক্ষ্য দি আছে, সেই বিষয়ে তুমি জানি
আছা; এতেকে এতিয়া যিহোৱাই তোমাৰ দুষ্টতাৰ ফল তোমাৰ নিজ
মূৰতে দিব। ৪৫ কিন্তু চলোমন ৰজাই আশীৰ্ব্বাদ পাব আৰু যিহোৱাৰ
সন্মুখত দায়ূদৰ সিংহাসন চিৰকাললৈকে থাকিব।” ৪৬ পাছত ৰজাই
যিহোয়াদাৰ পুত্ৰ বনায়াক আজ্ঞা কৰিলে, আৰু বনায়া ওলাই গৈ তেওঁক
আক্ৰমণ কৰি বধ কৰিলে। এইদৰে চলোমনৰ হাতত ৰাজ্য দৃঢ় হ’ল।

৩ চলোমনে মিচৰৰ ৰজা ফৰৌণৰ জীয়েকৰ সৈতে বিবাহৰ দ্বাৰাই
নিজৰ বাবে সম্বন্ধ স্থাপন কৰিলে৷ তেওঁ ফৰৌণৰ জীয়েকক লৈ আহিল,
আৰু তেওঁক নিজৰ গৃহ, যিহোৱাৰ গৃহ আৰু যিৰূচালেমৰ চাৰিওফালৰ
দেৱাল সম্পূৰ্ণকৈ নিৰ্মাণ নহোৱালৈকে, দায়ুদৰ নগৰত ৰাখিলে। ২
লোকসকলে পবিত্ৰ ঠাইবোৰতহে বলিদান কৰিছিল; কাৰণ সেই
কাললৈকে যিহোৱাৰ নামেৰে কোনো গৃহ নিৰ্ম্মাণ কৰা হোৱা নাছিল। ৩
চলোমনে পবিত্ৰ স্থানবোৰত বলিদান দিয়া আৰু ধূপ জ্বলোৱাৰ বাহিৰে,
তেওঁ নিজ পিতৃ দায়ূদৰ বিধি অনুসাৰে চলিছিল, তেওঁ যিহোৱাক প্ৰেম
কৰিছিল। ৪ পাছত ৰজাই বলিদান কৰিবৰ অৰ্থে গিবিয়োনলৈ গ’ল,
কিয়নো সেই ঠাই আটাইতকৈ প্ৰধান পবিত্ৰ ঠাই আছিল৷ চলোমনে
তাত থকা যজ্ঞবেদীৰ ওপৰত এক হাজাৰ হোম-বলি দিলে। ৫
গিবিয়োনতে যিহোৱাই ৰাতি সপোনত চলোমনক দৰ্শন দিলে; তেওঁ
ক’লে, “খোজা! মই তোমাক কি বৰ দিম।” ৬ তেতিয়া চলোমনে ক’লে,
“আপোনাৰ দাস মোৰ পিতৃ দায়ূদে সত্যতা, ধাৰ্মিকতা আৰু সৰল
চিত্তেৰে যি আচৰণ কৰিলে, সেইদৰে আপুনি তেওঁক অতিশয় দয়া
কৰিলে৷ বিশেষকৈ তেওঁক এনে মহা-অনুগ্ৰহ কৰিলে যে, আজিৰ দৰে
তেওঁৰ সিংহাসনত বহিবলৈ তেওঁক এজন পুত্ৰও দিলে। ৭ এতিয়া, হে
মোৰ ঈশ্বৰ যিহোৱা, আপুনি মোৰ পিতৃ দায়ূদৰ পদত আপোনাৰ এই

দাসক ৰজা পাতিলে, কিন্তু মই সৰু ল’ৰা মাথোন৷ মই বাহিৰলৈ ওলাব
আৰু অ◌ানকি ভিতৰলৈ সোমাবলৈকো নাজানো। ৮ আপোনাৰ এই
দাস, আপুনি মনোনীত কৰা আপোনাৰ দাসবোৰৰ মাজত আছে;
তেওঁলোক মহাজাতি, সংখ্যাত অগণন বা গণিব নোৱাৰা। ৯ এতেকে
আপোনাৰ প্ৰজাসকলৰ বিচাৰ কৰিবৰ অৰ্থে, আপোনাৰ এই দাসক
ভাল বেয়া বুজিবলৈ জ্ঞানযুক্ত মন দিয়ক৷ কিয়নো আপোনাৰ এনে বৃহৎ
জাতিৰ বিচাৰ কৰা কাৰ সাধ্য?” ১০ চলোমনে এনে বৰ খোজাত,
প্ৰভুৱে তেওঁৰ প্ৰাৰ্থনাত সন্তোষ পালে। ১১ তেতিয়া ঈশ্বৰে তেওঁক
ক’লে, “কিয়নো তুমি এনে বিষয় বিচাৰিলা, আৰু নিজৰ কাৰণে দীঘল
আয়ুস বা ঐশ্বৰ্য্য বা তোমাৰ শত্ৰুৰ প্ৰাণ নুখুজিলা, কিন্তু সুবিচাৰ
কৰিবলৈ নিজৰ কাৰণে জ্ঞান বিচাৰিলা, ১২ এই কাৰণে চোৱা, মই
তোমাৰ বাক্যৰ দৰেই সকলো কৰিলোঁ। তোমাক মই এনে জ্ঞান আৰু
বুদ্ধি থকা মন দিলা যে, তোমাৰ আগেয়ে তোমাৰ তুল্য কোনো হোৱা
নাই বা তোমাৰ পাছতো উৎপন্ন নহ’ব। ১৩ ইয়াৰ বাহিৰেও তুমি
নোখোজা সেই ঐশ্বৰ্য্য আৰু সন্মান তোমাক দিলা। তোমাৰ সমস্ত
জীৱন কালত ৰজাসকলৰ মাজত কোনো তোমাৰ তুল্য নহ’ব। ১৪ তুমি
যদি তোমাৰ পিতৃ দায়ূদে চলাৰ দৰে মোৰ পথত চলি মোৰ বিধি আৰু
আজ্ঞাবোৰ পালন কৰা, তেনেহ’লে মই তোমাৰ আয়ুস আৰু দীঘল
কৰিম।” ১৫ তেতিয়া চলোমনে সাৰ পাই দেখিলে যে, সেয়া সপোনহে
আছিল। পাছত তেওঁ যিৰূচালেমলৈ আহি যিহোৱাৰ নিয়ম-চন্দুকটিৰ
সন্মুখত থিয় হ’ল৷ তাতে তেওঁ হোম-বলি আৰু মঙ্গলাৰ্থক বলি উৎসৰ্গ
কৰিলে আৰু নিজ সকলো দাসবোৰৰ কাৰণে এটা ভোজ পাতিলে। ১৬
সেই সময়ত দুজনী বেশ্যা মহিলা ৰজাৰ ওচৰলৈ আহি তেওঁৰ সন্মুখত
থিয় হ’ল। ১৭ তেওঁলোকৰ এজনীয়ে ক’লে, “হে মোৰ প্ৰভু, মই আৰু
এই জনী মহিলাই দুয়ো একে ঘৰতে থাকোঁ আৰু মই এয়ে সৈতে ঘৰত
থকা কালত এটি ল’ৰা প্ৰসৱ কৰিলোঁ। ১৮ পাছত মই প্ৰসৱ কৰা তৃতীয়
দিনা এই জনী মহিলায়ো এটি ল’ৰা প্ৰসৱ কৰিলে৷ তেতিয়া আমি একে
লগে আছিলোঁ৷ ঘৰত আমাৰ লগত আন কোনো মানুহ নাছিল, কেৱল
ঘৰত আমি দুজনীয়ে আছিলোঁ। ১৯ পাছত ৰাতি এইৰ ল’ৰাটি মৃত্যু

হ'ল, কাৰণ এই তাৰ ওপৰত শুলে। ২০ তাতে তাই মাজনিশা উঠি,
আপোনাৰ এই বেটী টোপনিত থাকোঁতে, মোৰ ল'ৰাটি মোৰ কাষৰ
পৰা নি নিজৰ বুকুত শুৱালে আৰু নিজৰ মৰা ল'ৰাটি আনি মোৰ বুকুত
শুৱাই হ'ল। ২১ পাছত ৰাতিপুৱা মই মোৰ ল'ৰাটিক পিয়াহ দিবলৈ
উঠি দেখিলোঁ যে, সি মৰা৷ কিন্তু ৰাতিপুৱা মই ভালকৈ চাওঁতে দেখিলোঁ
যে, সি মই জন্ম দিয়া ল'ৰাটি নহয়।" ২২ তেতিয়া দ্বিতীয় জনী মহিলাই
ক'লে, "নহয়, জীয়াই থকা ল'ৰাটি মোৰ, মৰা জনহে তোমাৰ ল'ৰা।"
তেতিয়া প্ৰথম জনীয়ে ক'লে, "নহয় নহয়, মৰা ল'ৰাটি তোমাৰ, জীয়াই
থকা জনহে মোৰ।" এই দৰে তেওঁলোক দুয়োজনীয়ে ৰজাৰ আগত
নিবেদন কৰিলে। ২৩ তেতিয়াই ৰজাই ক'লে, "এইজনীয়ে কৈছে,
'জীয়াই থকা ল'ৰাটি মোৰ, মৰা ল'ৰাটি তোমাৰ', আৰু আন জনীয়ে
কৈছে, 'নহয় নহয়, মৰা ল'ৰাটি তোমাৰ, জীয়াই থকা ল'ৰাটো মোৰ।"
২৪ তেতিয়া ৰজাই আজ্ঞা কৰিলে, "মোলৈ এখন তৰোৱাল আনা।"
তেতিয়া ৰজাৰ আগলৈ এখন তৰোৱাল অনা হ'ল। ২৫ তেতিয়া ৰজাই
ক'লে, "এই জীয়াই থকা লৰাটিক দুডোখৰ কৰি, এজনীক এফাল আৰু
আন জনীক এফাল দিয়া।" ২৬ তেতিয়া জীয়াই থকা ল'ৰাটি যি জনী
মহিলাৰ আছিল, তেওঁ তেওঁৰ ল'ৰাটিলৈ দয়া-মমতাৰে উপচি পৰিল,
তেওঁ ৰজাক নিবেদন কৰি ক'লে, "হে মোৰ প্ৰভু, বিনয় কৰোঁ, জীয়া
ল'ৰাটি এইকে দিয়ক, ল'ৰাটি কোনোমতেই বধ নকৰিব৷" কিন্তু আন
জনীয়ে ক'লে, "সি মোৰো নহওঁক তোমাৰো নহওঁক৷ তোমালোকে
তাক দুডোখৰ কৰা।" ২৭ তেতিয়া ৰজাই উত্তৰ দি ক'লে, "এই জনীকে
জীয়া ল'ৰাটি দিয়া আৰু কোনো মতে তাক বধ নকৰিবা৷ এই জনীয়েই
তাৰ মাতৃ।" ২৮ ৰজাই এই যি বিচাৰ নিস্পত্তি কৰিলে, সেই বিষয়ে
শুনি গোটেই ইস্ৰায়েলে ৰজালৈ ভয় কৰিলে, কিয়নো তেওঁলোকে
দেখিলে যে, বিচাৰ কৰিবৰ অৰ্থে তেওঁত ঈশ্বৰে দিয়া জ্ঞান আছে।

**4** চলোমন গোটেই ইস্ৰায়েলৰ ওপৰত ৰজা আছিল। ২ এওঁলোক
তেওঁৰ বিষয়া আছিল: চাদোকৰ পুত্ৰ অজৰিয়া পুৰোহিত আছিল৷ ৩
চীচাৰ পুত্ৰ ইলীহোৰফ আৰু অহিয়া ৰাজ-লিখক আছিল৷ অহীলূদৰ
পুত্ৰ যিহোচাফট্ ইতিহাস-লিখক আছিল৷ ৪ যিহোয়াদাৰ পুত্ৰ বনায়া

সৈন্যসকলৰ প্ৰধান সেনাপতি আছিল৷ চাদোক আৰু অবিয়াথৰ
পুৰোহিত আছিল৷ ৫ নাথনৰ পুত্ৰ অজৰীয়া বিষয়াসকলৰ ওপৰত
অধ্যক্ষ আছিল৷ নাথনৰ পুত্ৰ জাবুদ পুৰোহিত আৰু ৰজাৰ সুহৃদ
বন্ধু আছিল৷ ৬ অহীচাৰ ৰাজঘৰগিৰি আৰু অব্দাৰ পুত্ৰ আদোনীৰাম
বন্দী কাম কৰোৱাসকলৰ ওপৰত অধ্যক্ষ আছিল। ৭ চলোমনে
গোটেই ইস্ৰায়েলৰ ওপৰত নিযুক্ত কৰা বাৰ জন বিষয়া আছিল,
তেওঁলোকে ৰজাৰ আৰু ৰাজগৃহৰ বাবে খোৱা বস্তুৰ যোগান ধৰিছিল৷
বছৰৰ ভিতৰত এমাহৰ সম্বল যোগান ধৰাৰ ভাৰ প্ৰতিজনৰ ওপৰত
আছিল। ৮ তেওঁলোকৰ নামবোৰ আছিল: ইফ্ৰয়িম পৰ্ব্বতৰ বিন-
হূৰ, ৯ মাকচত বিন-ডেকাৰ, চালবীম, বৈৎচেমচত আৰু এলোন
বৈৎ-হানন আছিল; ১০ আৰু অৰুব্বোতত বিন-হেচদ, তেওঁৰ অধীনত
চোকো আৰু হেফৰ প্ৰদেশ আছিল৷ ১১ অবীনাদব সমুদায় দোৰ
জিলাত আছিল, তেওঁ চলোমনৰ জীয়েক টাফতক বিয়া কৰাইছিল,
১২ তানক আৰু মগিদ্দোত অহীলূদৰ পুত্ৰ বানাৰ আৰু চৰ্তনৰ ওচৰত
যিজ্ৰিয়েলৰ তলত থকা গোটেই বৈৎ-চান অৰ্থাৎ পৰা আবেল-মহোলা
আৰু যকমিয়ামৰ সিটো দিশলৈকে অধিকাৰ কৰি আছিল। অধিকাৰ
আছিল৷ ১৩ ৰামোৎ-গিলিয়দত বিন-গেবৰ, তেওঁৰ অধীনত গিলিয়দত
থকা মনচিৰ পুত্ৰ যায়ীৰৰ আটাই গাওঁ আৰু বাচানত থকা অৰ্গোব
অঞ্চল অৰ্থাৎ গড়েৰে বেষ্টিত আৰু পিতলৰ ডাং থকা ষাঠিখন ডাঙৰ
নগৰ আছিল, ১৪ মহনয়িমত ইদ্দোৰ পুত্ৰ অহীনাদব আছিল৷ ১৫
নপ্তালীত অহীমাচ, তেৰোঁ চলোমনৰ জীয়েক বাচমতক বিয়া কৰিছিল,
১৬ আচেৰত আৰু বালোতত হূচয়ৰ পুত্ৰ বানা, ১৭ ইচাখৰত পাৰূহৰ
পুত্ৰ যিহোচাফট আছিল৷ ১৮ বিন্যামীনত এলাৰ পুত্ৰ চিমিয়ী, ১৯
আৰু গিলিয়দ দেশত, অৰ্থাৎ ইমোৰীয়াসকলৰ চীহোন ৰজাৰ দেশত
উৰীৰ পুত্ৰ গেবৰ আৰু বাচানৰ ওগ ৰজা; সেই দেশত কেৱল তেৱেঁই
বিষয়া আছিল। ২০ যিহূদা আৰু ইস্ৰায়েল সমুদ্ৰৰ তীৰত থকা বালিৰ
নিচিনা অসংখ্য আছিল৷ তেওঁলোকে ভোজন-পান আৰু ৰং ধেমালি
কৰিছিল। ২১ চলোমনে ফৰাৎ নদীৰে পৰা পলেষ্টীয়াসকলৰ দেশলৈ
আৰু মিচৰ দেশৰ সীমালৈকে, সকলো ৰাজ্যৰ ওপৰত ৰাজত্ব কৰিছিল৷

তেওঁলোকে চলোমনলৈ উপহাৰ আনিছিল আৰু তেওঁৰ গোটেই ৰাজত্বৰ
কালত তেওঁলোকে তেওঁক সেৱা কৰিছিল। ২২ চলোমনৰ প্ৰতিদিনৰ
আহাৰত প্ৰয়োজন হৈছিল, দ্ৰব্য ত্ৰিশ কোৰ উত্তম মিহি আটাগুড়ি আৰু
ষাঠি কোৰ সাধাৰণ আটাগুড়ি, ২৩ দহোটা পুষ্ট ষাঁড় গৰু, চৰণীয়া
পথাৰৰ পৰা অনা গৰু বিশটা আৰু এশ টা মেৰ-ছাগ; ইয়াৰ উপৰিও
হৰিণা, কৃষ্ণসাৰ, যহমুৰ পহু আৰু পুষ্ট পক্ষী। ২৪ কিয়নো তেওঁ
টিপচহৰ পৰা গাজালৈকে, ফৰাৎ নদীৰ ইপাৰে থকা সমূদায় দেশৰ,
নদীৰ ইপাৰে থকা সকলো ৰজাৰ ওপৰত ৰাজত্ব কৰিলে আৰু তেওঁৰ
চাৰিওফালৰ অঞ্চল শান্তিপূৰ্ণ আছিল৷ ২৫ চলোমনৰ ৰাজত্বৰ সকলো
সময়ত, প্ৰতিজনে দানৰ পৰা বেৰ-চেবালৈকে, যিহূদা আৰু ইস্ৰায়েলত
নিজ দ্ৰাক্ষালতাৰ আৰু নিজ নিজ ডিমৰু গছৰ তলত নিৰ্ভয়ে বাস
কৰিছিল। ২৬ চলোমনৰ ৰথৰ কাৰণে চল্লিশ হাজাৰ ঘোঁৰাশাল আৰু
বাৰ হাজাৰ অশ্বাৰোহী আছিল। ২৭ প্ৰতিজন বিষয়াই চলোমন ৰজাৰ
কাৰণে আৰু তেওঁৰ মেজলৈ অহা সকলোৰে কাৰণে নিজ নিজ নিৰূপিত
মাহত খোৱা সমল যোগাইছিল৷ তেওঁলোকে কোনো বস্তুৰ নাটনি
হ'বলৈ দিয়া নাছিল৷ ২৮ তেওঁলোকৰ প্ৰতিজনে নিজ নিজ নিৰূপিত
কাৰ্যৰ দৰে, সাধাৰণ আৰু বেগী ঘোঁৰাৰ কাৰণে, দিবলগীয়া ঠাইলৈ যৱ
ধান আৰু খেৰ আনিছিল। ২৯ ঈশ্বৰে চলোমনক অতিশয় অধিক জ্ঞান
আৰু বুদ্ধি দিলে আৰু সমুদ্ৰৰ তীৰত থকা বালিৰ নিচিনা অধিক বিষয়
বুজিবলৈ এক বহল মন দিলে। ৩০ তাতে চলোমনৰ জ্ঞান পূব দেশত
থকা সকলো লোক আৰু মিচৰীয়া লোকসকলৰ জ্ঞানতকৈ অত্যাধিক
হ'ল। ৩১ তেওঁ সকলোতকৈ জ্ঞানৱান; তেওঁ ইজ্ৰাহীয়া এথন, মাহোলৰ
পুত্ৰ হেমন, কলকোল আৰু দৰ্দা, এই সকলোতকৈয়ো অধিক জ্ঞানৱান
হ'ল। আৰু তেওঁৰ যশস্যা চাৰিওফালে থকা সকলো জাতিৰ মাজত
বিয়পি গ'ল। ৩২ তেওঁ তিনি হাজাৰ নীতি বাক্য কৈছিল আৰু তেওঁৰ
গীতৰ সংখ্যা এক হাজাৰ পাঁচ টা আছিল। ৩৩ তেওঁ লিবানোনত থকা
এৰচ গছৰ পৰা গড়ৰ গাত গজা এচোব বনলৈকে সকলো গছৰ বিষয়ে
বৰ্ণনা কৰিছিল৷ তেওঁ পশু, পক্ষী, উৰগ জন্তু আৰু মাছৰ বিষয়েও
ব্যাখ্যা কৰিছিল। ৩৪ সকলো দেশৰ লোকে চলোমনৰ জ্ঞানৰ কথা

শুনিবলৈ আহিছিল। যি জনে তেওঁৰ জ্ঞানৰ কথা শুনিছিল, তেৱেঁই পৃথিৱীৰ ৰজাসকলক তেওঁৰ ওচৰলৈ পঠিয়াই দিছিল।

৫ যেতিয়া তূৰৰ ৰজা হীৰমে চলোমনক তেওঁৰ পিতৃৰ সলনি ৰজা অভিষেক কৰাৰ কথা শুনিলে, তেতিয়া তেওঁ চলোমনৰ ওচৰলৈ নিজৰ দাসবোৰক পঠিয়াই দিলে; কিয়নো চলোমনৰ পিতৃ দায়ূদৰ সৈতে তূৰৰ ৰজা হীৰমৰ সদায় বন্ধুত্ব আছিল।
২ তেতিয়া চলোমনে হীৰমলৈ কৈ পঠিয়ালে,
৩ “আপুনি জানে যে, মোৰ পিতৃ দায়ূদে তেওঁৰ ঈশ্বৰ যিহোৱাৰ নামৰ উদ্দেশে গৃহ নিৰ্ম্মাণ কৰিব নোৱাৰিলে; কিয়নো যেতিয়ালৈকে যিহোৱাই তেওঁৰ শত্ৰুবোৰক ভৰিৰ তল নকৰিলে, তেতিয়ালৈকে তেওঁৰ চাৰিওফালে যুদ্ধ হৈ আছিল।
৪ কিন্তু এতিয়া মোৰ ঈশ্বৰ যিহোৱাই সকলো ফালে মোক বিশ্ৰাম দিছে৷ এতিয়া কোনো শত্ৰুও নাই আৰু কোনো ধৰণৰ আপদ ঘটা নাই।
৫ গতিকে মই মোৰ ঈশ্বৰ যিহোৱাৰ নামৰ উদ্দেশ্যে এটি গৃহ সাজিবলৈ মন কৰিছোঁ, মোৰ পিতৃ দায়ূদৰ আগত যিহোৱাই এইদৰে কৈছিল, ‘মই তোমাৰ পদত তোমাৰ যিজন পুত্ৰক সিংহাসনত বহুৱাম, তেৱেঁই মোৰ নামৰ উদ্দেশ্যে গৃহ নিৰ্ম্মাণ কৰিব।’
৬ এই হেতুকে আপুনি এতিয়া আপোনাৰ লোকসকলক মোৰ বাবে লিবানোনৰ পৰা এৰচ কাঠ কাটি আনিবলৈ আজ্ঞা কৰক৷ মোৰ দাসবোৰ আপোনাৰ দাসবোৰৰ লগত যোগদান কৰিব আৰু আপুনি যি ক’ব, সেইদৰেই মই আপোনাৰ দাসবোৰৰ দিবলগীয়া বেচ আপোনাক দিম। কিয়নো আপুনি জানে যে, চীদোনীয়াসকলৰ দৰে কাঠ কাটিব জনা মানুহ আমাৰ মাজত নাই।”
৭ তেতিয়া হীৰমে চলোমনৰ এই কথা শুনি বৰ আনন্দিত হৈ ক’লে, “যিজন সৰ্ব্বশক্তিমান ঈশ্বৰে সেই মহান জাতিৰ ওপৰত ৰাজত্ব কৰিবলৈ দায়ূদক এজন জ্ঞানী পুত্ৰ দান কৰিলে, আজি সেই যিহোৱা ধন্য।”
৮ পাছত হীৰমে চলোমনৰ ওচৰলৈ কৈ পঠিয়ালে, “আপুনি মোলৈ পঠিউৱা বাৰ্তা মই শুনিলোঁ৷ মই এৰচ কাঠ আৰু দেৱদাৰু কাঠৰ বিষয়ে আপোনাৰ মনৰ সকলো বাঞ্ছা সিদ্ধ কৰিম।
৯ মোৰ দাসবোৰে লিবানোনৰ পৰা সেইবোৰ নমাই সাগৰলৈ আনিব আৰু মই ভূৰ বান্ধি সমূদ্ৰপথে আপুনি নিৰ্দ্দেশ দিয়া ঠাইলৈ পঠিয়াই দিম৷ সেই

ঠাইত ভূৰ মেলিলে আপুনি সেইবোৰ লৈ যাব৷ আৰু মোৰো বাঞ্ছা সিদ্ধ
কৰিবলৈ আপুনি মোৰ লোকসকলৰ বাবে খোৰা বস্তুৰ যোগান ধৰিব৷”
১০ এইদৰে হীৰমে চলোমনৰ মনৰ বাঞ্ছাৰ দৰে সকলো এৰচ আৰু
দেৱদাৰু কাঠ দিলে। ১১ চলোমনে হীৰমৰ লোকসকলৰ বাবে আহাৰৰ
যোগান ধৰিবলৈ তেওঁক বিশ হাজাৰ কোৰ ঘেঁহু ধান আৰু বিশ কোৰ
শুদ্ধ তেল দিলে৷ এইদৰে চলোমনে বছৰে বছৰে হীৰমক দিলে। ১২
যিহোৱাই নিজ প্ৰতিজ্ঞা অনুসাৰে চলোমনক জ্ঞান দিলে৷ হীৰম আৰু
চলোমন, দুয়োৰে মাজত এক শান্তিপ্ৰিয় ভাব আছিল আৰু তেওঁলোক
দুয়োজনে এটি নিয়ম স্থাপন কৰিছিল। ১৩ পাছত চলোমন ৰজাই
গোটেই ইস্ৰায়েলৰ মাজৰ পৰা বাধ্যতামূলকভাৱে বন্দী-কাম কৰিবলৈ
মানুহ গোটালে; সেই গোট খোৱা লোক ত্ৰিশ হাজাৰ হ’ল। ১৪ তেওঁ
মাহেকীয়া পালক্ৰমে সিহঁতৰ দহ হাজাৰ লোকক লিবানোনলৈ পঠিয়ায়৷
সিহঁত এমাহ এমাহ লিবানোনত থাকে আৰু দুমাহ নিজ ঠাইত থাকে৷
১৫ চলোমনৰ সত্তৰ হাজাৰ ভাৰ বোৱা আৰু আশী হাজাৰ শিল-কটিয়া
লোক পৰ্ব্বতত আছিল। ১৬ তাৰ বাহিৰেও কাম কৰা লোকসকলক
তদাৰক কৰিবলৈ তেওঁলোকৰ ওপৰত চলোমনৰ তিনি হাজাৰ তিনি শ
প্ৰধান বিষয়া আছিল। ১৭ ৰজাৰ আজ্ঞা অনুসাৰে গৃহৰ ভিত্তিমূল স্থাপন
কৰিবলৈ শিলৰ খনিৰ পৰা তেওঁলোকে কটা বৰ বৰ উন্নত প্ৰকাৰৰ
শিলবোৰ কাটি আনিছিল। ১৮ চলোমন আৰু হীৰমৰ ঘৰ-সজীয়া
লোকসকল আৰু গিবলীয়া লোকসকলে সেইবোৰ শিল কাটিলে, আৰু
এইদৰে সিহঁতে গৃহ নিৰ্ম্মাণ কৰিবলৈ কাঠ আৰু শিলো যুগুত কৰিলে।
**৬** ইস্ৰায়েলৰ সন্তান সকলে মিচৰ দেশৰ পৰা ওলাই অহাৰ চাৰিশ
আশী বছৰৰ পিছত, চলোমনে ইস্ৰায়েলৰ ওপৰত ৰাজত্ব কৰাৰ চতুৰ্থ
বছৰৰ জীব নামেৰে দ্বিতীয় মাহত, চলোমনে যিহোৱাৰ গৃহ নিৰ্ম্মাণ
কৰিবলৈ আৰম্ভ কৰিলে। ২ চলোমন ৰজাই যিহোৱাৰ উদ্দেশ্যে যি গৃহ
নিৰ্ম্মাণ কৰিছিল, সেয়ে ষাঠি হাত দীঘল, বিশ হাত বহল আৰু ত্ৰিশ
হাত ওখ আছিল। ৩ সেই মন্দিৰ গৃহৰ সন্মুখত থকা বাৰাণ্ডাখন, গৃহৰ
বহল অনুসাৰে বিশ হাত দীঘল আৰু গৃহৰ আগত তাৰ গভীৰতা দহ
হাত আছিল। ৪ আৰু গৃহৰ কাৰণে চিলিঙি দিয়া খিড়িকি সাজিলে, আৰু

ইয়াৰ বাবে গৃহৰ বাহিৰফালটো গৃহৰ ভিতৰতকৈ অতি ঠেক আছিল।
৫ তেওঁ মূখ্য গৃহৰ দেৱালৰ গাতে চাৰিওফালে, অৰ্থাৎ মন্দিৰৰ আৰু
অন্তঃস্থানৰ চাৰিওফালে দেৱালৰ গাতে খাপখাপকৈ কোঁঠালিবোৰ
নিৰ্ম্মাণ কৰিলে; এইদৰে তেওঁ চাৰিওফালে কাষৰ কোঁঠালিবোৰ
সাজিলে৷ ৬ তাৰ তলৰ খাপৰ কোঁঠালিবোৰ পাঁচ হাত বহল, মাজৰ
খাপৰ কোঁঠালিবোৰ ছয় হাত বহল আৰু ওপৰ খাপৰ কোঁঠালিবোৰ
সাত হাত বহলকৈ সাজিলে৷ কিয়নো চতিবোৰ যেন দেৱালত বন্ধ নহয়,
সেইবাবে তেওঁ বাহিৰৰ গৃহৰ চাৰিওফালৰ দেৱালবোৰত জখলাৰ দৰে
খাপ খাপ কৰিলে। ৭ শিলৰ খনিৰ পৰা অনা শিলেৰে সেই গৃহ নিৰ্মান
কৰিছিল; সেয়ে গৃহ নিৰ্মান কৰি থাকোতে কোনো হাতুৰী, বাটলি বা
কোনো লোহাৰ অস্ত্ৰৰ শব্দ শুনা নগ'ল। ৮ মন্দিৰৰ দক্ষিণ দিশৰ পৰা
তলৰ মহলাত প্ৰৱেশ কৰা পথ আছিল আৰু লোকসকলে পকোৱা-পকি
চিৰিয়েদি মাজৰ মহলালৈ গৈছিল আৰু মাজৰ মহলাৰ পৰা তৃতীয়
মহলালৈ উঠিছিল৷ ৯ এইদৰে চলোমনে মন্দিৰ সাজিলে, আৰু এই
মন্দিৰ সম্পূৰ্ণ কৰিলে; তেওঁ এৰচ কাঠৰ কেঁঞ্চি আৰু তক্তাৰে গৃহ
আবৃত কৰিলে। ১০ তেওঁ মন্দিৰৰ কোঁঠালিবোৰৰ সৈতে সংলগ্ন কৰি
মন্দিৰৰ চাৰিওফালে ঘৰ সাজিলে, এইবোৰ ওখই প্ৰায় পাঁচ হাত
আছিল; এইবোৰ এৰচ কাঠেৰে গৃহৰ সৈতে লগ লগোৱা আছিল।
১১ পাছত চলোমনৰ ওচৰলৈ যিহোৱাৰ বাক্য আহিল, তেওঁ ক'লে,
১২ "তুমি এই গৃহ সাজিছা, ভাল কৰিছা; তুমি যদি মোৰ সকলো
বিধি মতে চলা আৰু মোৰ শাসন-প্ৰণালী সিদ্ধ কৰা আৰু মোৰ আটাই
আজ্ঞা পালন কৰি সেই মতে কাৰ্য কৰা তেন্তে মই তোমাৰ পিতৃ
দায়ূদক যি কৈছিলোঁ, মোৰ সেই প্ৰতিজ্ঞা তোমাৰ পক্ষেও সিদ্ধ কৰিম।
১৩ মই ইস্ৰায়েলৰ সন্তান সকলৰ মাজত বসতি কৰিম আৰু মোৰ
প্ৰজা ইস্ৰায়েল লোকক ত্যাগ নকৰিম।" ১৪ সেয়ে চলোমনে এই
গৃহ সাজিলে, আৰু ইয়াক সম্পূৰ্ণ কৰিলে। ১৫ তেওঁ গৃহৰ ভিতৰৰ
ফালে থকা দেৱালবোৰৰ গাত এৰচ কাঠৰ তক্তা দিলে৷ তেওঁ গৃহৰ
ভিতৰৰ মজিয়াৰ পৰা ছটত দেৱাল লগা ঠাইলৈকে ভিতৰফালে সেই
কাঠেৰে সেইবোৰ আবৃত কৰিলে আৰু গৃহৰ মজিয়া দেবদাৰু কাঠেৰে

ঢাকিলে। ১৬ গৃহৰ অন্তঃভাগৰ বিশ হাত জোখৰ ঠাইখন মজিয়াৰ
পৰা কেঁধিলৈকে এৰচ কাঠেৰে সাজিলে৷ এইদৰে তেওঁ ভিতৰ ভাগত
অন্তঃস্থান অৰ্থাৎ অতি পবিত্ৰ স্থান ৰূপে সেই ঠাই যুগুত কৰিলে। ১৭
মন্দিৰৰ মূল অংশ পবিত্ৰ স্থানৰ সন্মুখত আছিল, এই ঠাই দীঘলে প্ৰায়
চল্লিশ হাত আছিল। ১৮ গৃহৰ ভিতৰ ভাগত এৰচ কাঠ লগোৱা হৈছিল,
তাতে লতা জাতীয় গছ আৰু ফুল অংকিত কৰা হৈছিল। ভিতৰ ভাগৰ
গোটেই অংশত এৰচ কাঠহে আছিল। তাত কোনো শিলেৰে কৰা কাৰ্য
দেখা নগ'ল। ১৯ চলোমনে যিহোৱাৰ নিয়ম-চন্দুকটি ৰাখিবলৈ গৃহৰ
ভিতৰত অতি পবিত্ৰ-স্থান যুগুত কৰিলে। ২০ সেই অতি পবিত্ৰ-স্থান
দীঘলে বিশ হাত, পথালিয়ে বিশ হাত আৰু বিশ হাত ওখ আছিল;
আৰু তাত চলোমনে শুদ্ধ সোণৰ পতা মাৰিলে আৰু ধূপবেদীত এৰচ
কাঠ লগালে। ২১ এইদৰে চলোমনে গৃহৰ ভিতৰত শুদ্ধ সোণৰ পতা
মাৰিলে৷ আৰু অতি পবিত্ৰ-স্থানৰ আগত এফালৰ পৰা আনফাললৈকে
সোণৰ শিকলিবোৰ লগালে আৰু তাত সোণৰ পতা মাৰিলে। ২২
তেওঁ গোটেইটো গৃহ সমাপ্ত নোহোৱালৈকে গোটেই গৃহত সোণৰ পতা
মাৰিলে৷ অতি পবিত্ৰ-স্থানৰ ওচৰত থকা বেদীতো সম্পূৰ্ণৰূপে সোণৰ
পতা মাৰিলে। ২৩ তেওঁ অতি পবিত্ৰ-স্থানৰ ভিতৰত দহ হাত ওখ
জিত কাঠৰ দুটা কৰূব নিৰ্ম্মাণ কৰিলে। ২৪ এটা কৰূবৰ এখন ডেউকা
পাঁচ হাত আৰু আনখন ডেউকাও পাঁচ হাত আছিল৷ তাতে এখন
ডেউকাৰ আগৰ পৰা আনখন ডেউকাৰ আগলৈকে দহ হাত দূৰত
আছিল৷ ২৫ আৰু দ্বিতীয় কৰূবৰ ডেউকাও দহ হাত আছিল৷ দুয়োটা
কৰূব একে জোখৰ আৰু একে আকাৰৰ। ২৬ প্ৰথম কৰূব দহ হাত ওখ
আছিল আৰু আনটোও দহ হাত ওখ আছিল। ২৭ পাছত তেওঁ কৰূব
দুটা গৃহৰ আটাইতকৈ ভিতৰৰ কোঠালিত স্থাপন কৰিলে৷ সেই কৰূব
দুটাৰ ডেউকা এনেকৈ মেলিলে যে, এটাৰ ডেউকা এখন দেৱাল আৰু
আনটোৰ ডেউকা আনখন দেৱাল চুলে৷ গৃহৰ মাজত থকা পবিত্ৰ স্থানত
সেই কৰূব দুটাৰ ডেউকাই ইটোৱে সিটোক চুলে। ২৮ তাতে চলোমনে
কৰূব দুটাত সোণৰ পতা মাৰিলে। ২৯ আৰু গৃহটিৰ আটাইবোৰ
দেৱালত ভিতৰে আৰু বাহিৰে চাৰিওফালে কৰূব, খাজুৰ গছ আৰু

মুকলি হোৱা ফুলৰ ছবি অংকন কৰিলে। ৩০ আৰু গৃহৰ মজিয়াত
বাহিৰে-ভিতৰে সোণৰ পতা মাৰিলে। ৩১ চলোমনে অতি পবিত্ৰ-স্থানৰ
প্ৰবেশস্থানত জিত কাঠৰ দুৱাৰ সাজিলে৷ চৌকাঠৰ ওপৰডাল আৰু দুই
দাঁতিৰ দুডাল দেৱালৰ পাঁচ ভাগৰ এভাগ আছিল। ৩২ এইদৰে জিত
কাঠৰ দুখলপা দুৱাৰ সাজিলে আৰু তাৰ ওপৰত কৰূব, খাজুৰ গছ আৰু
মুকলি হোৱা ফুলৰ ছবি অংকন কৰিলে, আৰু তাতে তেওঁ সোণৰ পতা
কৰি, সেই সোণ কৰূব আৰু খাজুৰ গছত লগালে। ৩৩ সেইদৰে তেওঁ
মন্দিৰৰ প্ৰবেশস্থানৰ কাৰণে দেৱালৰ চাৰি ভাগৰ এভাগত জিত কাঠ
থকা চৌকাঠৰ দুই দাঁতিৰ দুডাল কৰিলে ৩৪ আৰু দেবদাৰু কাঠৰ
দুখলপীয়া দুৱাৰ কৰিলে৷ এখন পাত ঘুৰাব পৰা দুচলা তক্তা আৰু আন
খলপাতো ঘূৰাব পৰা দুচলা তক্তা আছিল৷ ৩৫ তাতে কৰূব, খাজুৰ গছ
আৰু মুকলি হোৱা ফুলৰ ছবি অংকন কৰিলে, আৰু সোণৰ পতা কৰি,
সেই সোণ কটা-কামত লগালে। ৩৬ পাছত তেওঁ তিনি শাৰী কটা-শিল
দি আৰু এশাৰী চাৰি সিৰীয়া এৰচ কাঠেৰে ভিতৰ-চোতাল সাজিলে।
৩৭ চতুৰ্থ বছৰৰ জীব মাহত যিহোৱাৰ গৃহৰ ভিত্তিমূল স্থাপন কৰা হ'ল।
৩৮ আৰু একাদশ বছৰৰ বূল নামেৰে অষ্টম মাহত নিৰূপিত আকাৰ
অনুসাৰে সকলো অংশতেই গৃহ নিৰ্ম্মাণ কৰি শেষ কৰা হ'ল। এইদৰে
মন্দিৰ নিৰ্মান কৰোঁতে চলোমনৰ সাত বছৰ লাগিল।

৭ নিজৰ বাবে ৰাজগৃহ নিৰ্মাণ কৰিবলৈ চলোমনৰ তেৰ বছৰ
লাগিছিল। ২ তেওঁ লিবানোনৰ কাঠনিৰ পৰা অনা কাঠেৰে গৃহ
সাজিছিল। সেই গৃহ দীঘে এশ হাত, বহলে পঞ্চাশ হাত আৰু উচ্চতাত
ত্ৰিশ হাত আছিল৷ সেই গৃহ এৰচ কাঠৰ চতি লগোৱা চাৰি শাৰী এৰচ
কাঠৰ চৌকাঠৰ ওপৰতে নিৰ্মাণ কৰিছিল। ৩ সেই গৃহৰ চালখন এৰচ
কাঠেৰে সজা হৈছিল; আৰু চালখন ধৰি ৰাখিবলৈ শাৰীকৈ ৰখা পোন্ধৰ
টা খুটাৰ ওপৰত পঞ্চল্লিশ টা চৌকাঠ আছিল; ৪ কাষৰ দেৱাল দুটাত
তিনিযোৰকৈ খুঁটা আছিল আৰু সন্মুখা-সন্মুখি কৈ থকা খিড়িকি আছিল৷
৫ খিড়িকিয়ে সৈতে সকলো দুৱাৰ আৰু চৌকাঠবোৰ চাৰিচুকীয়া আৰু
তিনিযোৰকৈ সন্মুখা-সন্মুখি কৈ থকা খিড়িকি আছিল৷ ৬ তেওঁ স্তম্ভ
থকা পঞ্চাশ হাত দীঘল আৰু ত্ৰিশ হাত বহল এক গৃহ আৰু আগত এখন

বাৰাণ্ডাৰ সৈতে চালৰ ভাৰ ধৰি ৰখা কিছুমান স্তম্ভ আছিল। ৭ আৰু যি
গৃহত চলোমনে বিচাৰ কৰিব, নিজৰ এনে সিংহাসনৰ গৃহ অৰ্থাৎ এখন
বিচাৰালয় সাজিছিল। সেই গৃহৰ এফালৰ পৰা আনফাললৈ গোটেই
মজিয়া এৰচ কাঠেৰে ঢকা আছিল। ৮ সেই গৃহৰ পাছফালে থকা আন
এখন চোতালত, নিজে বাস কৰাৰ বাবে যি গৃহ আছিল, সেই গৃহটোও
একেদৰেই সজা হৈছিল। চলোমনে পত্নীৰূপে লোৱা ফৰৌণৰ জীয়েকৰ
কাৰণেও সেই গৃহৰ দৰেই এটা গৃহ সাজিছিল। ৯ এই গৃহবোৰ তেওঁ
কৰতেৰে কটা সঠিক জোখৰ বহুমুলীয়া শিলেৰে অলংকৃত কৰি নিৰ্ম্মাণ
কৰিছিল৷ এই শিলবোৰ গৃহৰ ভেটিৰ পৰা দেৱাললৈকে আৰু বাহিৰৰ
বৰ চোতাল খনতো নানা পৰিমাণ অনুসাৰে ভিতৰে বাহিৰে ব্যৱহাৰ
কৰা হৈছিল৷ ১০ গৃহৰ ভেটিতো আঠ হাত আৰু দহ হাত জোখৰ
বহুমূলীয়া ডাঙৰ ডাঙৰ শিলেৰে সজা হৈছিল৷ ১১ তাৰ ওপৰত নানা
পৰিমাণ অনুসাৰে সঠিক জোখৰ বহুমূলীয়া কটা-শিল আৰু এৰচ কাঠ
আছিল। ১২ ভিতৰৰ চোতালত থকা যিহোৱাৰ গৃহ আৰু সেই গৃহৰ
বাৰাণ্ডাৰ দৰে বৰ চোতালৰ চাৰিওফালে তিনি শাৰী কটা-শিল আৰু
এশাৰী এৰচ কাঠৰ চতি আছিল। ১৩ পাছত চলোমন ৰজাই মানুহ
পঠিয়াই তূৰৰ পৰা হীৰমক অনালে। ১৪ হীৰম নপ্তালী ফৈদৰ এজনী
বিধবাৰ পুত্ৰ আছিল; তেওঁৰ পিতৃ তূৰীয়াত পিতলৰ কাম কৰা এজন
লোক আছিল৷ তেওঁ পিতলৰ সকলো ধৰণৰ কাৰ্য কৰিবলৈ জ্ঞান, বুদ্ধি
আৰু কৌশলেৰে পৰিপূৰ্ণ হোৱা ব্যক্তি আছিল। তেওঁ চলোমন ৰজাৰ
পিতলৰ কাম কৰিবলৈ তেওঁৰ ওচৰলৈ আহিছিল৷ ১৫ তেওঁ পিতলৰ
দুটা স্তম্ভ নিৰ্ম্মাণ কৰিলে আৰু সেই স্তম্ভ দুটাৰ উচ্চতা আৰু পৰিধি ওঠৰ
হাত আৰু বাৰ হাত আছিল৷ ১৬ তেওঁ সেই দুয়োটা স্তম্ভৰ চূড়াত লগাবৰ
কাৰণে চকচকিয়া পিতলৰ দুটা ৰাজস্তম্ভ সাজিছিল, আৰু এই ৰাজস্তম্ভ
দুটা পাঁচ হাত ওখ আছিল৷ ১৭ স্তম্ভৰ চূড়াত লগোৱা সেই ৰাজস্তম্ভৰ
বাবে জালৰ দৰে আৰু শিকলিৰ দৰে পকোৱা মালা গঁথা হৈছিল, আৰু
এনে মালা সাতো ডালেৰে প্ৰতিটো ৰাজস্তম্ভ সজোৱা হৈছিল। ১৮
তাতে হীৰমে সেই স্তম্ভৰ চূড়াত সজোৱা ৰাজস্তম্ভ দুটাৰ চাৰিওফালে
দুশাৰী ডালিম সজাইছিল৷ ১৯ বাৰাণ্ডাৰ সেই স্তম্ভ দুটাৰ মূৰৰ আকাৰ

লিলি ফুলৰ দৰে আছিল৷ সেই ফুলৰ আকৃতি চাৰি হাত ওখ আছিল৷
২০ স্তম্ভৰ চূড়াৰ ওপৰত সজোৱা ৰাজস্তম্ভ দুটাৰ চাৰিওফালে দুশ টা
নিৰ্মিত ডালিমৰ শাৰী আছিল। ২১ পাছত তেওঁ সেই স্তম্ভ দুটা মন্দিৰৰ
বাৰাণ্ডাত স্থাপন কৰিছিল৷ তেওঁ সোঁফালৰ স্তম্ভটো স্থাপন কৰি তাৰ
নাম যাখীন হ'ল আৰু বাঁওফালৰ স্তম্ভটো স্থাপন কৰি তাৰ নাম বোৱাজ
ৰাখিলে। ২২ এই স্তম্ভ দুটাৰ মূৰ লিলি ফুলৰ আকৃতিত সজোৱা আছিল৷
এই দৰে স্তম্ভৰ সজোৱা কাৰ্য সমাপ্ত হৈছিল। ২৩ পাছত হীৰমে সাঁচত
ঢলা এটা ঘূৰণীয়া সমুদ্ৰ-পাত্ৰ নিৰ্ম্মাণ কৰিলে৷ সেই পাত্ৰটোৰ এখন
কানৰ পৰা আন খনলৈ দহ হাত, তাৰ উচ্চতা পাঁচ হাত আৰু তাৰ
পৰিধি ত্ৰিশ হাত আছিল৷ ২৪ সেই পাত্ৰটোৰ কাণৰ তলৰ চাৰিওফালে
প্ৰত্যেক হাতৰ জোখৰ ভিতৰত দহোটা দহোটাকৈ কোমোৰাৰ আকৃতি
আছিল আৰু পাত্ৰটো ঢলা সময়ত সেই কোমোৰাবোৰৰ আকৃতিবোৰ
দুশাৰীকৈ সাঁচত ঢলা হৈছিল। ২৫ সেই সমুদ্ৰ-পাত্ৰটো বাৰটা ষাঁড়-
গৰুৰ ওপৰত ৰখা আছিল৷ সেইবোৰৰ তিনিটাই উত্তৰলৈ, তিনিটাই
পশ্চিমলৈ, তিনিটাই দক্ষিণলৈ আৰু তিনিটাই পূবলৈ মুখ কৰি আছিল৷
সেই সমুদ্ৰ-পাত্ৰটো সেইবোৰৰ ওপৰত স্থাপন কৰা হ'ল৷ সেই ষাঁড়-
গৰুবোৰৰ পাছফাল ভিতৰফালে মুখ কৰি আছিল। ২৬ সেই সমুদ্ৰ-
পাত্ৰ চাৰি আঙুল ডাঠ আৰু তাৰ কাণ বাটিৰ কাণৰ লিলি ফুলৰ দৰে
সজা হৈছিল৷ সেই পাত্ৰত দুই হাজাৰ মোন পানী ধৰিছিল। ২৭ হীৰমে
পিতলৰ দহোটা আধাৰ নিৰ্মাণ কৰিলে; প্ৰত্যেক আধাৰ দীঘে চাৰি
হাত, বহলে চাৰি হাত আৰু উচ্চতাত তিনি হাত। ২৮ সেই আধাৰবোৰ
এইদৰে সজা হ'ল৷ সেইবোৰৰ মাজডোখৰ খাল পৰা আছিল আৰু
সেই খাল পৰা ঠাই বাৰৰ মাজে মাজে আছিল, ২৯ সেই বাৰৰ মাজৰ
খাল পৰা ঠাইত সিংহ, গৰু আৰু কৰূবৰ আকৃতিত সজোৱা আছিল৷
সেই সিংহ আৰু ষাঁড়-গৰুবোৰৰ ওপৰ আৰু তলৰ ভাগত টোকৰ মাৰা
পিতলৰ মালাৰে সজোৱা আছিল৷ ৩০ প্ৰত্যেক আধাৰত চাৰিটাকৈ
পিতলৰ চকা আৰু পিতলৰ ধুৰা আছিল; তাৰ চাৰিটা খুৰাৰ তলত
প্ৰক্ষালন-পাত্ৰ-ধৰা সুবিধা আছিল আৰু প্ৰত্যেকটোৰ দাঁতিত মালাৰ
আকৃতিত সঁচা আছিল। ৩১ তাৰ মুখ বৈঠকৰ আকৃতিৰ দৰে ঘূৰণীয়া

আৰু ডেৰ হাত জোখৰ আৰু এহাত উচ্চতাৰ এখন কিৰীটিৰ মাজত
ৰখা আছিল৷ তাৰ মুখৰ দাঁতিতোত খোদিত নক্সা কৰা আছিল আৰু
তাৰ ফলকবোৰ বৰ্গৰূপে নাছিল কিন্তু ঘূৰণীয়া আছিল৷ ৩২ চকা চাৰিটা
সেই ফলকবোৰৰ তলত আৰু সেই চকাৰ ধুৰা আধাৰৰ লগত আছিল;
প্ৰত্যেক চকা ডেৰ হাত ওখ আছিল। ৩৩ সেই চকাবোৰ ৰথৰ চকাৰ
দৰে সজা হৈছিল৷ তাৰ ধুৰা, পুঠি, পাহি আৰু মাদলি সকলো ঢলা
আছিল। ৩৪ প্ৰত্যেক আধাৰৰ চাৰি চুকত চাৰিটা প্ৰক্ষালন-পাত্ৰ-ধৰা
ব্যৱস্থা আছিল; সেই প্ৰক্ষালন-পাত্ৰ-ধৰাবোৰ আধাৰৰ লগত সাঁচত
গঢ়া হৈছিল। ৩৫ সেই আধাৰৰ মূৰত আধা হাত দ-কৈ এটা ঘূৰণীয়া
সাঁফৰ আছিল আৰু আধাৰৰ ওপৰ-ভাগত থকা ধৰণী আৰু ফলকবোৰ
তাত সংযুক্ত হৈ আছিল। ৩৬ ধৰণীৰ উপৰিভাগ আৰু ফলকবোৰৰ
খালি ঠাইবোৰ ঢকাকৈ হীৰমে কৰূব, সিংহ আৰু খাজুৰ গছবোৰ
কাটি সেইবোৰৰ চাৰিওফালে মালা গাঠি দিছিল৷ ৩৭ এইদৰে তেওঁ
একে সাঁচতে একে জোখেৰে একে আকৃতিৰে পিতলৰ সেই দহ টা
আধাৰ সাজিছিল। ৩৮ পাছত হীৰমে পিতলৰ দহ টা প্ৰক্ষালন-পাত্ৰ
সাজিছিল৷ প্ৰত্যেকটো পাত্ৰত চল্লিশ মোন কৈ পানী ধৰিছিল। প্ৰত্যেক
পাত্ৰ চাৰি হাত জোখৰ আছিল৷ প্ৰত্যেকটো পাত্ৰ সেই দহ টা আধাৰৰ
ওপৰত ৰখা হৈছিল৷ ৩৯ তেওঁ গৃহৰ দক্ষিণফালে পাঁচোটা আধাৰ আৰু
উত্তৰফালে পাঁচোটা আধাৰ ৰাখিছিল৷ তেওঁ গৃহৰ পূৱদিশে দক্ষিণফালে
সমুদ্ৰ-পাত্ৰটো স্থাপন কৰিছিল। ৪০ হীৰমে সেই প্ৰক্ষালন-পাত্ৰ, ছাঁই
উলিওৱা হেঁতা আৰু তেজ ছটিওৱা পাত্ৰবোৰ নিৰ্মাণ কৰিছিল। এইদৰে
হীৰমে ৰজা চলোমনৰ বাবে যিহোৱাৰ গৃহত সম্পূৰ্ণৰূপে নিৰ্মান কৰি
উঠা কাৰ্যবোৰ হ'ল: ৪১ সেই স্তম্ভ দুটা আৰু তাৰ মূৰৰ মাথলাৰ ঘূৰণীয়া
ভাগ দুটা আৰু তাক ঢাকিবলৈ যি দুখন অলংকাৰপূৰ্ণ জালি কটা কাম
কৰা হৈছিল৷ ৪২ তেওঁ সেই দুযোৰ অলংকাৰপূৰ্ণ জালৰ কাৰণে সেই
চাৰিশ ডালিম অৰ্থাৎ স্তম্ভ দুটাৰ ওপৰৰ মাথলাৰ ঘূৰণীয়া ভাগ দুটা
ঢাকিবৰ অৰ্থে প্ৰত্যেক জালৰ কাৰণে দুশাৰী ডালিম ৪৩ আৰু দহ
টা আধাৰ, আৰু দহ টা আধাৰৰ ওপৰত দহ টা প্ৰক্ষালন পাত্ৰ, ৪৪
সেই সমুদ্ৰ-পাত্ৰ, আৰু সেই সমুদ্ৰ-পাত্ৰৰ তলৰ বাৰটা ষাঁড়-গৰু, ৪৫

ছাঁই পেলোৱা পাত্ৰ, ছাঁই উলিওৱা হেঁতা আৰু তেজ ছটিওৱা পাত্ৰ - হীৰমে এইবোৰ নিৰ্মান কৰিছিল ৰজা চলোমনৰ বাবে, যিহোৱাৰ গৃহৰ বাবে; তেওঁ এইবোৰ চক্‌চকিয়া পিতলেৰে নিৰ্মান কৰিছিল।
৪৬ ৰজাই এইবোৰ যৰ্দ্দনৰ চুক্কোৎ আৰু চৰ্তনৰ মধ্যৱৰ্তী সমতল ভূমিত তৈয়াৰ কৰিবলৈ দিছিল, এইবোৰ আলতীয়া মাটিৰ সাঁচত ঢালি তৈয়াৰ কৰা হৈছিল।
৪৭ চলোমনে সেই পাত্ৰবোৰ অতি বেচি হোৱাৰ কাৰণে সেইবোৰৰ ওজন জোখ নকৰিলে, আৰু সেইবাবে সেই পিতলৰ ওজন জনা নগ'ল।
৪৮ চলোমনে যিহোৱাৰ গৃহৰ সকলো বস্তু সোণেৰে নিৰ্ম্মাণ কৰোঁৱাইছিল: সেইবোৰ হ'ল, সোণৰ বেদী আৰু দৰ্শন-পিঠা থবৰ কাৰণে সোণৰ মেজ৷
৪৯ অন্তঃস্থানৰ সন্মুখত সোঁফালে পাঁচোটা আৰু বাওঁফালে পাঁচোটা নিৰ্মল সোণৰ দীপাধাৰ আৰু ফুল, প্ৰদীপ আৰু শলাকানি-কটা এই সকলোবোৰ সোণেৰে নিৰ্মান কৰোঁৱাইছিল।
৫০ নিৰ্মল সোণৰ বাটি, কটাৰী, তেজ ছটিওৱা পাত্ৰ, পিয়লা, এঙাৰ-ধৰা, আৰু অন্তঃস্থানৰ অৰ্থাৎ মহা-পবিত্ৰ স্থানৰ দুৱাৰৰ কাৰণে আৰু মন্দিৰত প্ৰৱেশ কৰা দুৱাৰ এই আটাইবোৰকে সোণেৰে নিৰ্মাণ কৰাইছিল।
৫১ এইদৰে যিহোৱাৰ গৃহৰ কাৰণে চলোমনে কৰা সকলো কাৰ্য সমাপ্ত হোৱাৰ পাছত চলোমনে তেওঁৰ পিতৃ দায়ূদে উৎসৰ্গ কৰি দিয়া ৰূপ, সোণ আৰু পাত্ৰ আদি আটাই বস্তু অনাই যিহোৱাৰ গৃহৰ ভঁৰালত থৈছিল।

৮ পাছত চলোমনে দায়ূদৰ নগৰ অৰ্থাৎ চিয়োনৰ পৰা যিহোৱাৰ নিয়ম-চন্দুক আনিবৰ কাৰণে, ইস্ৰায়েলৰ পৰিচাৰকসকলক আৰু ফৈদৰ প্ৰধান লোকসকলক, ইস্ৰায়েলৰ সন্তান সকলৰ পিতৃ-বংশৰ বিষয়াসকলক যিৰূচালেমলৈ আহ্বান কৰিলে, আৰু তেওঁৰ সন্মুখত গোট খুৱালে।
২ তাতে এথানী নামেৰে সপ্তম মাহৰ উৎসৱৰ সময়ত ইস্ৰায়েলৰ সকলো লোক চলোমন ৰজাৰ ওচৰলৈ আহি একগোট হৈছিল।
৩ তাৰ পাছত ইস্ৰায়েলৰ পৰিচালকসকল আহিল, আৰু পুৰোহিতসকলে নিয়ম-চন্দুক তুলি ল'লে।
৪ তেওঁলোকে যিহোৱাৰ নিয়ম-চন্দুক, সাক্ষাৎ কৰা তম্বু আৰু তম্বুৰ ভিতৰত থকা সকলো পবিত্ৰ বস্তুবোৰ আনিলে৷ এই সকলো বস্তু পুৰোহিত আৰু লেবীয়াসকলে

আনিলে। ৫ তেতিয়া চলোমন ৰজাৰ সৈতে ইস্ৰায়েলৰ গোটেই লোক
সকলে নিয়ম-চন্দুকৰ আগত অসংখ্য ভেড়া আৰু গৰু আদি বলিদান
কৰিছিল। ৬ পুৰোহিতসকলে যিহোৱাৰ নিয়ম-চন্দুক গৃহৰ অন্তঃস্থানলৈ
অৰ্থাৎ মহা পবিত্ৰ স্থানলৈ লৈ গৈ কৰূব দুটাৰ ডেউকাৰ তলত তাৰ
নিজৰ ঠাইত স্থাপন কৰিছিল। ৭ কিয়নো কৰূব দুটাই নিয়ম-চন্দুকৰ
ঠাইৰ ওপৰত ডেউকা মেলি আছিল আৰু কৰূব দুটাই নিয়ম-চন্দুক
আৰু তাৰ কানমাৰি ঢাকি ধৰি আছিল। ৮ সেই দুডাল কানমাৰি ইমান
দীঘল যে, তাৰ মুৰ অন্তঃস্থানৰ সন্মুখত থকা পবিত্ৰ স্থানৰ পৰা দেখা
যায়; কিন্তু তাক বাহিৰৰ পৰা দেখা নাযায়, সেইবোৰ আজিলৈকে সেই
ঠাইত আছে। ৯ মিচৰ দেশৰ পৰা ইস্ৰায়েলৰ সন্তান সকল ওলাই অহা
কালত, যিহোৱাই তেওঁলোকে সৈতে এটি নিয়ম স্থাপন কৰা সময়ত,
হোৰেব পৰ্ব্বতত মোচিয়ে নিয়ম-চন্দুকৰ ভিতৰত যি দুখন শিলৰ
ফলি ৰাখিছিল, তাৰ বাহিৰে তাত আৰু একো নাছিল। ১০ পাছত
পুৰোহিতসকলে পবিত্ৰ-স্থানৰ পৰা ওলাই আহোতে, যিহোৱাৰ গৃহ
মেঘেৰে এনেকৈ পৰিপূৰ্ণ হৈছিল যে, ১১ পুৰোহিতসকলে পৰিচৰ্যা
কৰিবৰ অৰ্থে থিয় হৈ থাকিব নোৱাৰা হৈছিল; কিয়নো যিহোৱাৰ গৃহ
যিহোৱাৰ প্ৰতাপেৰে পৰিপূৰ্ণ হৈছিল। ১২ তেতিয়া চলোমনে ক'লে,
"যিহোৱাই এইদৰে কৈছে, বোলে, তেওঁ ঘোৰ অন্ধকাৰত বাস কৰিব
খুজিছে, ১৩ কিন্তু মই সচাঁকৈয়ে তোমাৰ বাবে সাজিলোঁ, এটা বাস
কৰা গৃহ, এয়ে যুগে যুগে তোমাৰ বাসস্থান হ'ব৷" ১৪ ইস্ৰায়েলৰ
গোটেই সমাজ থিয় হৈ থাকোতে ৰজাই এইদৰে গোটেই সমাজলৈ
চাই আশীৰ্ব্বাদ কৰিছিল। ১৫ তেওঁ আৰু ক'লে, "ইস্ৰায়েলৰ ঈশ্বৰ
যিহোৱা ধন্য হওঁক; কিয়নো তেওঁ মোৰ পিতৃ দায়ূদক নিজ মুখেৰে
কথা কৈছিল আৰু নিজ হাতেৰে এই বাক্য সিদ্ধও কৰিছিল আৰু কৈছিল
যে, ১৬ 'মোৰ প্ৰজা ইস্ৰায়েলসকলক মিচৰৰ পৰা উলিয়াই অনা দিনৰে
পৰা, মই মোৰ নাম ৰাখিবৰ বাবে গৃহ নিৰ্ম্মাণ কৰিবলৈ ইস্ৰায়েলৰ
আটাই ফৈদৰ মাজৰ কোনো নগৰ মনোনীত কৰা নাই৷ কিন্তু মোৰ
প্ৰজা ইস্ৰায়েলৰ ওপৰত ৰাজত্ব কৰিবলৈ দায়ূদক মনোনীত কৰিলোঁ।'
১৭ আৰু ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাৰ নামৰ উদ্দেশ্যে এটা গৃহ সাজিবলৈ

মোৰ পিতৃ দায়ূদৰ মন আছিল। ১৮ কিন্তু যিহোৱাই মোৰ পিতৃ দায়ূদক
ক'লে, 'মোৰ নামৰ উদ্দেশ্যে এটা গৃহ সাজিবলৈ তুমি মন কৰিছা,
ভাল কৰিছা৷ ১৯ তথাপি তুমি সেই গৃহ নিৰ্ম্মাণ কৰিবলৈ নাপাবা; কিন্তু
তোমাৰ ঔৰসত যি পুত্ৰ জন্মিব; তেঁৱেই মোৰ নামৰ উদ্দেশ্যে সেই গৃহ
সাজিব। ২০ এই বাক্য যিহোৱাই কৈছিল আৰু তেওঁ তাক সাম্ফলো
কৰিছিল; কিয়নো যিহোৱাৰ প্ৰতিজ্ঞা অনুসাৰে মই মোৰ পিতৃ দায়ূদৰ
পদত নিযুক্ত হৈ আৰু ইস্ৰায়েলৰ সিংহাসনৰ ওপৰত বহি, ইস্ৰায়েলৰ
ঈশ্বৰ যিহোৱাৰ নামৰ উদ্দেশ্যে এই গৃহ নিৰ্ম্মাণ কৰিলোঁ। ২১ আৰু
যিহোৱাই আমাৰ পূৰ্বপুৰুষসকলক মিচৰ দেশৰ পৰা উলিয়াই অনা
কালত তেওঁলোকৰ সৈতে কৰা নিয়মটি থকা যি নিয়ম-চন্দুক, তাৰ
বাবে মই ইয়াত এটা ঠাই যুগুত কৰিলোঁ।" ২২ চলোমনে ইস্ৰায়েলৰ
গোটেই সমাজৰ সাক্ষাতে যিহোৱাৰ যজ্ঞবেদীৰ আগত থিয় হৈ স্বৰ্গৰ
ফাললৈ হাত মেলিলে। ২৩ তেওঁ ক'লে, "হে ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱা,
ওপৰত থকা স্বৰ্গত আৰু তলত থকা পৃথিৱীত আপোনাৰ তুল্য কোনো
ঈশ্বৰ নাই; আৰু সকলো হৃদয়েৰে তোমাৰ আগত আচৰণ কৰোঁতা
তোমাৰ দাস সকললৈ, আপুনি দয়া আৰু নিয়মটি ৰক্ষা কৰোঁতা; ২৪
আপোনৰ দাস মোৰ পিতৃ দায়ূদলৈ আপুনি যি প্ৰতিজ্ঞা কৰিছিল, তাক
আপুনি তেওঁলৈ পালন কৰিলে৷ এনে কি আপুনি নিজ মুখেৰে কৈ
আজিৰ দৰে নিজ হাতেৰে তাক সিদ্ধও কৰিলে। ২৫ এই হেতুকে
এতিয়া হে ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱা, আপুনি মোৰ পিতৃ দায়ূদক
কৈছিল, 'তুমি মোৰ আগত যেনেকৈ চলিছা, সেইদৰে যদি তোমাৰ
সন্তান সকলে মোৰ সন্মুখত চলিবলৈ নিজ নিজ পথত সাৱধান থাকে,
তেনেহলে মোৰ দৃষ্টিত ইস্ৰায়েলৰ সিংহাসনৰ ওপৰত বহিবলৈ তোমাৰ
সম্বন্ধীয়া মানুহৰ অভাৱ নহ'ব', এইদৰে আপোনাৰ দাসৰ আগত যি
প্ৰতিজ্ঞা কৰিছিল, সেই প্ৰতিজ্ঞাকে আপোনাৰ এই দাসলৈ পালন
কৰক। ২৬ এতিয়া হে ইস্ৰায়েলৰ ঈশ্বৰ, মই বিনয় কৰোঁ, আপোনাৰ
দাস মোৰ পিতৃ দায়ূদক আপুনি যি বাক্য কৈছিল, সেয়ে সাম্ফল
হওঁক। ২৭ কিন্তু বাস্তৱিকতে ঈশ্বৰে পৃথিৱীত বাস কৰিব নে? চাওঁক,
স্বৰ্গই আৰু স্বৰ্গৰো স্বৰ্গই আপোনাক ধাৰণ কৰিব নোৱাৰে, তেন্তে মই

নিৰ্ম্মাণ কৰা গৃহই জানো পাৰিব! ২৮ তথাপি, এই নিমিত্তে, আপোনাৰ
দাসে এই ঠাইৰ ফাললৈ মুখ কৰি কৰা প্ৰাৰ্থনা শুনিবলৈ, আপুনি
আপোনাৰ দাসৰ প্ৰাৰ্থনা আৰু মিনতি গ্ৰহণ কৰি, আপোনাৰ দাসে
আজি আপোনাৰ আগত কৰা কাতৰোক্তি আৰু প্ৰাৰ্থনালৈ কাণ দিয়ক।
২৯ হে মোৰ ঈশ্বৰ যিহোৱা, এই মন্দিৰৰ ফাললৈ আপোনাৰ চকু দিনে
ৰাতিয়ে মুকলি হৈ থাকক, যিদৰে আপুনি কৈছিল বোলে, ‘মোৰ নাম
আৰু মোৰ উপস্থিতি তাত হ’ব’ যাতে যিসকলে এই গৃহৰ ফাললৈ মুখ
কৰি নিবেদন কৰিব, সেই নিবেদন আপোনালৈ শুনা যাব৷ ৩০ সেয়েহে
যেতিয়া আপোনাৰ দাস ও আপোনাৰ প্ৰজা ইস্ৰায়েলে এই ঠাইৰ
ফাললৈ মুখ কৰি প্ৰাৰ্থনা কৰিব, তেতিয়া আপুনি তেওঁলোকৰ মিনতিলৈ
কাণ দিব, এনে কি, আপুনি আপোনাৰ বাসস্থান স্বৰ্গত থাকি তাক
শুনিব আৰু শুনি ক্ষমা কৰিব। ৩১ কোনোৱে নিজ চুবুৰীয়াৰ অহিতে
পাপ কৰিলে, যদি তেওঁক এক শপত খাবলৈ দিয়া যায় আৰু তেওঁ আহি
এই গৃহত আপোনাৰ যজ্ঞবেদীৰ সন্মুখত শপত খায়, ৩২ তেন্তে আপুনি
স্বৰ্গত থাকি সেই নিবেদন শুনিব আৰু কাৰ্য কৰি আপোনাৰ দাসবোৰৰ
বিচাৰ নিস্পত্তি কৰি, দোষীক দোষী কৰি তেওঁৰ কৰ্মৰ ফল তেওঁৰ
মূৰৰ ওপৰত দিব আৰু নিৰ্দ্দোষীক নিৰ্দ্দোষী কৰি তেওঁৰ ধাৰ্মিকতাৰ
ফল তেওঁক দিব। ৩৩ আপোনাৰ প্ৰজা ইস্ৰায়েলে আপোনাৰ বিৰুদ্ধে
পাপ কৰাৰ বাবে শত্ৰুৰ আগত পৰাজিত হৈ যদি আপোনাৰ ওচৰলৈ
ঘূৰি আহে, আৰু আপোনাৰ নাম স্বীকাৰ কৰি এই গৃহত আপোনাৰ
সন্মুখত প্ৰাৰ্থনা আৰু মিনতি কৰে, ৩৪ তেন্তে আপুনি স্বৰ্গত থাকি সেই
প্ৰাৰ্থনা, নিবেদন শুনি আপোনাৰ প্ৰজা ইস্ৰায়েলৰ পাপ ক্ষমা কৰিব
আৰু আপুনি তেওঁলোকৰ পূৰ্বপুৰুষসকলক দিয়া দেশলৈ তেওঁলোকক
ওভোতাই আনিব। ৩৫ লোকসকলে আপোনাৰ অহিতে পাপ কৰাৰ
কাৰণে যেতিয়া আকাশ বন্ধ হৈ বৰষুণ নাইকিয়া হ’ব - তেতিয়া যদি
তেওঁলোকে এই ঠাইৰ ফাললৈ মুখ কৰি প্ৰাৰ্থনা কৰে, আপোনাৰ নাম
স্বীকাৰ কৰে, আৰু আপুনি তেওঁলোকক দুখ দিয়া সময়ত নিজ নিজ
পাপৰ পৰা ঘূৰে, ৩৬ তেন্তে আপুনি স্বৰ্গত থাকি তাক শুনিব, আৰু
আপোনাৰ দাসবোৰৰ আৰু নিজ প্ৰজা ইস্ৰায়েলৰ পাপ ক্ষমা কৰি,

তেওঁলোকে যাব লগীয়া সজ পথৰ বিষয়ে তেওঁলোকক শিক্ষা দিব
আৰু আপুনি আপোনাৰ লোকসকলক আধিপত্যৰ অৰ্থে দিয়া দেশত
বৰষুণ বৰষাব। ৩৭ দেশৰ মাজত যদি আকাল কি মহামাৰী হয়, শস্য
ককৰ্ত্তনীয়া কি ৰঙামূৰীয়া হয়, নাইবা ফৰিং কি পোক হয় আৰু যদি
তেওঁলোকৰ শত্ৰুৱে তেওঁলোকৰ দেশৰ নগৰবোৰত তেওঁলোকক
অৱৰোধ কৰে - ৩৮ তেন্তে যি কোনো আপদ বা ৰোগ হওক, যদি
কোনো মানুহে বা আপোনাৰ প্ৰজা ইস্ৰায়েলৰ মাজৰ কোনো লোকে
নিজ মনৰ পীড়া জানি এই গৃহৰ ফাললৈ নিজ হাত মেলে, ৩৯ তেন্তে
তেওঁৰ যি কোনো প্ৰাৰ্থনা কি মিনতি হওক, আপুনি নিজ বাসস্থান
স্বৰ্গত থাকি তাক শুনিব, ক্ষমা কৰিব আৰু কাৰ্য কৰি প্ৰতিজন লোকৰ
মন জানি, কিয়নো আপুনি, কেৱল আপুনিহে আটাই মনুষ্য সন্তান
সকলৰ মন জানে; তেওঁলোকৰ নিজ নিজ কৰ্মৰ দৰে ফল দিব; ৪০
আমাৰ পূৰ্বপুৰুষসকলক আপুনি দিয়া দেশত তেওঁলোকে জীয়াই থকা
আটাই দিনত আপোনাক ভয় কৰিবৰ বাবেই ইয়াকে কৰিব। ৪১
তদুপৰি আপোনাৰ প্ৰজা ইস্ৰায়েলৰ লোকৰ মাজৰ নোহোৱা বিদেশী
লোকে যেতিয়া আপোনাৰ নামৰ গুণ শুনি দূৰ দেশৰ পৰা আহিব - ৪২
কিয়নো সিহঁতে আপোনাৰ মহান নাম, বলৱান হাত আৰু মেলা বাহুৰ
কথা শুনিব; আৰু আহি এই মন্দিৰৰ ফাললৈ মুখ কৰি প্ৰাৰ্থনা কৰিব,
৪৩ তেতিয়া, আপোনাৰ বাসস্থান স্বৰ্গত থাকি তাক শুনিব আৰু সেই
বিদেশী লোকে আপোনালৈ কৰা আটাই প্ৰাৰ্থনাৰ দৰে তালৈ কাৰ্য
কৰিব। আপোনাৰ প্ৰজা ইস্ৰায়েলৰ দৰে আপোনাক ভয় কৰিবৰ অৰ্থে,
পৃথিৱীৰ আটাই জাতিয়ে যেন আপোনাৰ নাম জানিব আৰু মই সজা
এই গৃহ যে আপোনাৰ নামেৰে প্ৰখ্যাত, তাকো যেন জানিব৷ ৪৪ আৰু
আপুনি আপোনাৰ প্ৰজাক যি কোনো বাটেদি পঠায় সেই বাটেদি যদি
তেওঁলোকে তেওঁলোকৰ শত্ৰুৰে সৈতে যুদ্ধ কৰিবলৈ ওলাই যায় আৰু
আপোনাৰ মনোনীত এই নগৰৰ ফালে আৰু আপোনাৰ নামৰ কাৰণে
মই সজা এই গৃহৰ ফালে যদি মুখ কৰি প্ৰাৰ্থনা কৰে, ৪৫ তেন্তে আপুনি
স্বৰ্গত থাকি তেওঁলোকৰ প্ৰাৰ্থনা আৰু মিনতি শুনিব, আৰু তেওঁলোকৰ
বিচাৰ নিস্পত্তি কৰিব। ৪৬ ধৰি লওঁক, তেওঁলোকে যদি আপোনাৰ

বিৰুদ্ধে পাপ কৰে, (কিয়নো পাপ নকৰা মানুহ কোনো নাই; ) আৰু
আপুনি তেওঁলোকলৈ ক্রুদ্ধ হৈ তেওঁলোকক যদি শত্রুৰ হাতত শোধাই
দিয়ে, আৰু তাতে যদি তেওঁলোকৰ শত্রুবোৰে তেওঁলোকক বন্দী কৰি
দূৰত বা ওচৰত থকা শত্রুৰ দেশলৈ লৈ যায়, ৪৭ তথাপি তেওঁলোকে
যদি বন্দী কৰি নিয়া দেশত নিজে বিবেচনা কৰি মন ঘূৰাই, আৰু
তেওঁলোকে বন্দী কৰি নিয়াসকলৰ দেশত থাকি আপোনাৰ আগত
প্রার্থনা কৰি, ‘আমি পাপ কৰিলোঁ, আমি অপথে গলোঁ, আমি কুকর্ম
কৰিলোঁ’, ৪৮ এই বুলি তেওঁলোকক বন্দী কৰি নিয়া তেওঁলোকৰ
শত্রুৰ দেশত সকলো মনে সকলো চিত্তে আপোনালৈ উভতি আহে,
আৰু তেওঁলোকৰ ওপৰ-পিতৃসকলক আপুনি দিয়া তেওঁলোকৰ দেশৰ
ফালে, আপোনাৰ মনোনীত নগৰৰ ফালে, আৰু আপোনাৰ নামৰ বাবে
মই নিৰ্ম্মাণ কৰা এই গৃহৰ ফালে মুখ কৰি যদি আপোনাৰ আগত প্রার্থনা
কৰে, ৪৯ তেন্তে আপুনি আপোনাৰ বাসস্থান স্বৰ্গত থাকি তেওঁলোকৰ
প্রার্থনা আৰু নিবেদন শুনিব, আৰু তেওঁলোকৰ বিচাৰ নিস্পত্তি কৰিব;
৫০ আৰু আপোনাৰ বিৰুদ্ধে পাপ কৰা আপোনাৰ প্রজাসকলক ক্ষমা
কৰিব, আৰু আপোনাৰ বিৰুদ্ধে কৰা তেওঁলোকৰ সকলো অপৰাধ ক্ষমা
কৰিব; আৰু তেওঁলোকৰ বন্দী কৰি নিয়াসকলে যেন তেওঁলোকক
দয়া কৰিব, এই কাৰণে তেওঁলোকলৈ তেওঁলোকৰ দয়া জন্মাব।
৫১ কিয়নো তেওঁলোক লোহাৰ কুণ্ড স্বৰূপ মিচৰ দেশৰ পৰা অনা
আপোনাৰ প্রজা আৰু আপোনাৰ আধিপত্য। ৫২ আপোনাৰ দাস আৰু
আপোনাৰ প্রজা ইস্রায়েলী লোকসকলে যি কোনো সময়ত প্রার্থনা
কৰিব, সেই সময়ত তেওঁলোকৰ প্রার্থনালৈ কাণ দিবলৈ আপোনাৰ
দাস আৰু আপোনাৰ প্রজাৰ সেই মিনতিলৈ আপোনাৰ চকু যেন মুকলি
হৈ থাকে, এই কাৰণে তেওঁলোকৰ প্রার্থনা শুনিব। ৫৩ কিয়নো, হে
প্রভু যিহোৱা, আমাৰ ওপৰ-পিতৃসকলক মিচৰ দেশৰ পৰা অনা কালত
আপোনাৰ দাস মোচিৰ দ্বাৰাই যেনেকৈ কৈছিল, তেনেকৈ আপোনাৰ
আধিপত্য হ’বলৈ তেওঁলোকক পৃথিৱীৰ আটাই জাতিবোৰৰ পৰা
আপুনিয়েই পৃথক কৰিলে।” ৫৪ যিহোৱাৰ সন্মুখত এইদৰে প্রার্থনা
আৰু নিবেদন কৰাৰ পাছত, চলোমনে যিহোৱাৰ যজ্ঞবেদিৰ সন্মুখত

যেনেদৰে আঠুকাঢ়ি পৰি স্বৰ্গৰ ফালে চাই আছিল, সেইদৰে চাই থকাৰ
পৰা তেওঁ উঠি থিয় হ’ল। ৫৫ তাৰ পাছত ইস্রায়েলৰ গোটেই সমাজলৈ
চাই, আশীৰ্ব্বাদ কৰি উচ্চস্বৰে ক’লে, ৫৬ “যিজন সৰ্ব্বশক্তিমান ঈশ্বৰে
নিজৰ সকলো প্ৰতিজ্ঞা অনুসাৰে নিজৰ প্ৰজা ইস্রায়েলক বিশ্ৰাম দিছে,
সেই যিহোৱা ধন্য হওঁক; তেওঁ নিজ দাস মোচিৰ দ্বাৰাই যি প্ৰতিজ্ঞা
কৰিলে, সেই উত্তম প্ৰতিজ্ঞাৰ এটা বিষয়ো বিফল হ’ব দিয়া নাই।
৫৭ আৰু আমাৰ ঈশ্বৰ যিহোৱা যেনেকৈ আমাৰ ওপৰ-পিতৃসকলৰ
লগত আছিল, তেনেকৈ তেওঁ আমাৰো লগত থাকক৷ আমাক ত্যাগ
নকৰক বা আমাক এৰি নাযাওঁক। ৫৮ তেওঁৰ সকলো পথত চলিবলৈ
আৰু আমাৰ পূৰ্বপুৰুষসকলক দিয়া তেওঁৰ আজ্ঞা, বিধি আৰু শাসন-
প্ৰণালীবোৰ পালন কৰিবলৈ আমাৰ মন নিজলৈ আকৰ্ষণ কৰক। ৫৯
আৰু যি সকলো কথাৰে মই যিহোৱাৰ আগত নিবেদন কৰিলোঁ, দিনে
ৰাতিয়ে তেওঁৰ কাষ চাপা, যাতে দাসকলৰ বাবে তেওঁ সহায় কৰিব,
আৰু দিনে দিনে যেনে প্ৰয়োজন, তেনেকৈ তেওঁ নিজ দাস আৰু নিজ
প্ৰজা ইস্রায়েলৰ বিচাৰ নিস্পত্তি কৰিব; ৬০ যিহোৱাই যে ঈশ্বৰ, তেওঁৰ
বাহিৰে আন কোনো ঈশ্বৰ নাই, ইয়াক পৃথিৱীৰ সকলো জাতিয়ে
জানিবৰ বাবে, এই যি সকলো কথাৰ দ্বাৰাই মই যিহোৱাৰ আগত
প্ৰাৰ্থনা কৰিলোঁ, মোৰ এই সকলো কথা দিনে ৰাতিয়ে আমাৰ ঈশ্বৰ
যিহোৱাৰ আগত উপস্থিত হৈ থাকক। ৬১ এই হেতুকে আজিৰ দৰে
তেওঁৰ বিধিমতে আচৰণ কৰিবলৈ আৰু তেওঁৰ আজ্ঞা পালন কৰিবলৈ
আমাৰ ঈশ্বৰ যিহোৱাৰ আগত তোমালোকৰ মন সিদ্ধ হওক।” ৬২
পাছত ৰজা আৰু তেওঁৰে সৈতে গোটেই ইস্রায়েলে যিহোৱাৰ সাক্ষাতে
বলিদান কৰিলে। ৬৩ আৰু চলোমনে যিহোৱাৰ উদ্দেশে দিয়া মঙ্গলাৰ্থক
বলিস্বৰূপে বাইশ হাজাৰ গৰু আৰু এক লাখ বিশ হাজাৰ ভেড়া ও
ছাগলী উৎসৰ্গ কৰিলে। এইদৰে ৰজা আৰু ইস্রায়েলৰ সকলো সন্তানে
যিহোৱাৰ গৃহৰ প্ৰতিষ্ঠা কৰিলে। ৬৪ সেই দিনা ৰজাই যিহোৱাৰ
গৃহৰ সন্মুখত থকা চোতালৰ মাজভাগ পবিত্ৰ কৰিছিল; কিয়নো সেই
ঠাইতেই তেওঁ হোম-বলি, ভক্ষ্য নৈবেদ্য আৰু মঙ্গলাৰ্থক বলিৰ তেল
উৎসৰ্গ কৰিছিল; কাৰণ হোম-বলি, ভক্ষ্য নৈবেদ্য আৰু মঙ্গলাৰ্থক

বলিৰ তেল ধৰিবলৈ যিহোৱাৰ সন্মুখত থকা পিতলৰ যজ্ঞবেদী সৰু
আছিল। ৬৫ এইদৰে সেই সময়ত চলোমন আৰু তেওঁৰ লগৰ গোটেই
ইস্রায়েলে হমাতৰ প্ৰবেশ স্থানৰ পৰা মিচৰ-জুৰিলৈকে মহা সমাজ হৈ,
সাত দিন আৰু সাত দিন, মুঠতে চৌদ্ধ দিন আমাৰ ঈশ্বৰ যিহোৱাৰ
সাক্ষাতে উৎসৱ কৰিছিল। ৬৬ পাছত অষ্টম দিনা তেওঁ লোকসকলক
বিদায় দিলে আৰু তেওঁলোকে ৰজাক ধন্যবাদ কৰি, যিহোৱাই তেওঁৰ
দাস দায়ুদ আৰু তেওঁৰ প্ৰজা ইস্রায়েল লোকসকললৈ কৰা মঙ্গলৰ
কাৰণে আনন্দিত আৰু সন্তুষ্ট হৈ নিজ নিজ তম্বুলৈ গুচি গ'ল।

**৯** চলোমনে যিহোৱাৰ গৃহ, ৰাজ-গৃহ আৰু নিজ ইচ্ছামতে যি যি
কৰ্ম কৰিবলৈ তেওঁ স্থিৰ কৰিছিল, সেই আটাইকে সম্পূৰ্ণৰূপে সম্পন্ন
কৰিলে। ২ গিবিয়োনত দৰ্শন দিয়াৰ দৰে, যিহোৱাই দ্বিতীয় বাৰ
চলোমনক দৰ্শন দিলে। ৩ যিহোৱাই তেওঁক ক'লে, "তুমি মোৰ
আগত কৰা তোমাৰ প্ৰাৰ্থনা আৰু মিনতি মই শুনিলোঁ৷ তুমি নিৰ্মাণ
কৰা এই গৃহত মোৰ নাম চিৰকাললৈকে স্থাপন কৰিবৰ অৰ্থে মই এই
গৃহক পবিত্ৰ কৰিলোঁ আৰু এই ঠাইত সদায় মোৰ চকু আৰু মোৰ মন
থাকিব। ৪ তুমি যদি তোমাৰ পিতৃ দায়ূদৰ দৰে একান্ত মনে সৰল
ভাৱে মোৰ সাক্ষাতে চলা, আৰু মই তোমাক দিয়া সকলো আজ্ঞা
পালন কৰা, মোৰ বিধি আৰু শাসন প্ৰনালীবোৰ মানি চলা, ৫ তেতিয়া
মই ইস্রায়েলৰ ওপৰত তোমাৰ ৰাজসিংহাসন চিৰকাললৈকে স্থাপন
কৰিম; যেনেদৰে মই তোমাৰ পিতৃ দায়ুদৰ আগত প্ৰতিজ্ঞা কৰি
কৈছিলোঁ বোলে, 'ইস্রায়েলৰ সিংহাসনৰ ওপৰত বহিবলৈ তোমাৰ
বংশৰ মানুহৰ কেতিয়াও অভাৱ নহ'ব৷' ৬ কিন্তু তুমি বা তোমালোকৰ
সন্তান সকলৰ কোনোৱে যদি কেনেবাকৈ মোৰ পাছত চলিবলগীয়া
পথৰ পৰা ঘূৰা বা তোমালোকৰ আগত স্থাপন কৰা মোৰ আজ্ঞা
আৰু বিধিবোৰ পালন নকৰি ইতৰ দেৱতাবোৰক সেৱা পুজা কৰা
আৰু সিহঁতৰ আগত প্ৰণিপাত কৰা, ৭ তেতিয়া মই ইস্রায়েলক দিয়া
দেশৰ পৰা তেওঁলোকক উচ্ছন্ন কৰিম আৰু মই নিজৰ কাৰণে পবিত্ৰ
কৰা যি গৃহ - সেই গৃহ মোৰ দৃষ্টিৰ পৰা দূৰ কৰিম৷ তাতে সকলো
জাতিৰ মাজত 'ইস্রায়েল' নামটো কেৱল এটা প্ৰবাদ আৰু ঠাট্টাৰ বিষয়

হ’ব। ৮ আৰু যিহেতু এতিয়া এই মন্দিৰ ইমান মহৎ, যিসকলে ইয়াৰ
কাষেদি যাব, তেওঁলোকে আচৰিত মানিব আৰু ফোঁচফোঁচাব৷ তেতিয়া
তেওঁলোকে সুধিব, ‘এই দেশ আৰু এই গৃহলৈ যিহোৱাই কিয় এইৰূপে
কাৰ্য কৰিলে?’ ৯ তাতে আন আন লোকবোৰে উত্তৰ দি ক’ব, ‘কিয়নো
তেওঁলোকৰ পূৰ্ব-পুৰুষসকলক মিচৰ দেশৰ পৰা বাহিৰ কৰি অনা ঈশ্বৰ
যিহোৱাক তেওঁলোকে ত্যাগ কৰিলে আৰু ইতৰ দেৱতাবোৰত আসক্ত
হৈ তেওঁলোকে সেইবোৰৰ আগত প্ৰণিপাত কৰি সেইবোৰক সেৱা
পুজা কৰিলে৷ সেই কাৰণে যিহোৱাই তেওঁলোকৰ ওপৰত এই আটাই
অমঙ্গল ঘটালে’।” ১০ যিহোৱাৰ মন্দিৰ আৰু ৰাজগৃহ, এই দুটা সাজি
শেষ কৰিবলৈ চলোমনৰ বিশ বছৰ লাগিছিল। ১১ তূৰৰ ৰজা হীৰমে
চলোমনৰ সকলো ইচ্ছাৰ দৰে, এৰচ কাঠ, দেবদাৰু কাঠ আৰু সোণ
যোগান ধৰিছিল। সেই বাবে ৰজা চলোমনে হীৰমক গালীল দেশত
থকা বিশখন নগৰ দিছিল। ১২ তেতিয়া হীৰমে ৰজা চলোমনে দিয়া
নগৰ চাবলৈ তূৰৰ পৰা আহিল, কিন্তু তেওঁ সেই নগৰবোৰ দেখি সন্তুষ্ট
নহ’ল। ১৩ সেয়ে তেওঁ ক’লে, “হে মোৰ ভাই, তুমি মোক কেনেকুৱা
নগৰবোৰ দিলা?” এই হেতুকে হীৰমে সেই নগৰবোৰৰ নাম কাবূল
দেশ ৰাখিলে, এই নাম আজিলৈকে আছে। ১৪ হীৰমে এশ বিশ কিক্কৰ
সোণ ৰজালৈ পঠাই দিলে। ১৫ আৰু ৰজা চলোমনে যিহোৱাৰ গৃহ,
নিজৰ গৃহ, মিল্লো, যিৰূচালেমৰ গড় হাচোৰ, মগিদ্দো আৰু গেজৰ
নিৰ্ম্মাণ কৰিবলৈ বন্দী কাম কৰিব লগীয়া লোক সমূহক গোটাব লগীয়া
বিবৰণ এই। ১৬ মিচৰৰ ৰজা ফৰৌণে উঠি গৈ গেজৰ হাত কৰি লৈ
জুইৰে পুৰি ভস্ম কৰিছিল আৰু সেই নগৰ নিবাসী কনানীয়াবোৰক বধ
কৰি তাক নিজৰ জীয়েক চলোমনৰ ভাৰ্য্যাৰ যৌতুকত দিছিল। ১৭ আৰু
ৰজা চলোমনে গেজৰ, তলৰ বৈৎ-হোৰোণ, ১৮ বালৎ, দেশৰ মৰুভূমিত
থকা তামৰ, ১৯ তেওঁ অধিকাৰ কৰা সকলো ভঁৰাল-নগৰবোৰ, ৰথ
আৰু অশ্বাৰোহীসকলৰ নগৰবোৰ আদি যিৰূচালেমত ও লিবানোনত
আৰু নিজে শাসন কৰা দেশৰ সকলো ফালে যি যি নিৰ্ম্মাণ কৰিবলৈ
চলোমনৰ ইচ্ছা আছিল, সেই সকলোকে তেওঁ নিৰ্ম্মাণ কৰিলে। ২০
ইস্ৰায়েলৰ সন্তান সকলৰ মাজত নোহোৱা অৱশিষ্ট থকা ইমোৰীয়া,

হিত্তীয়া, পৰিজ্জীয়া, হিব্বীয়া, আৰু যিবুচীয়া লোকসকলৰ ২১ যি সন্তান
সকল সেই দেশত অৱশিষ্ট থাকিল, যিবোৰক ইস্রায়েলৰ সন্তান সকলে
নিঃশেষ হোৱাকৈ বিনষ্ট কৰিব নোৱাৰিলে - সিহঁতৰ মাজৰ পৰাই বন্দী
কামৰ বাবে ৰজা চলোমনে মানুহ গোটালে, আৰু এই লোকসকলে
আজিলৈকে তাকেই কৰি আছে। ২২ কিন্তু ৰজা চলোমনে ইস্রায়েলৰ
সন্তান সকলৰ মাজৰ কোনো লোকক বন্দী কামত নলগালে। বৰং
তেওঁলোক ৰণুৱা, তেওঁৰ দাস, তেওঁৰ মন্ত্ৰী, তেওঁৰ বিষয়া, সেনাপতি
আৰু সাৰথি ও অশ্বাৰোহীৰ অধ্যক্ষহে হ'ল। ২৩ তেওঁলোকৰ মাজৰ
পাঁচ শ পঞ্চাশ জন লোক ৰজা চলোমনৰ কাৰ্যত নিযুক্ত কৰা প্ৰধান
বিষয়া আছিল; তেওঁলোকে কাম কৰোঁতা সকলক চলাইছিল। ২৪
পাছত ৰজা ফৰৌণৰ জীয়েকে দায়ূদৰ নগৰৰ পৰা, তেওঁৰ বাবে
চলোমনে সজা নিজ ঘৰলৈ আহিল৷ পিছত ৰজা চলোমনে মিল্লো
নিৰ্ম্মাণ কৰিলে। ২৫ আৰু ৰজা চলোমনে যিহোৱাৰ বাবে যি যজ্ঞবেদী
নিৰ্ম্মাণ কৰিলে, তাৰ ওপৰত বছৰৰ ভিতৰত তিনিবাৰ হোমবলি আৰু
মঙ্গলাৰ্থক বলি উৎসৰ্গ কৰিছিল আৰু তাৰে সৈতে তেওঁ যিহোৱাৰ
সন্মুখত থকা বেদীত ধূপ জ্বলাইছিল৷ এইদৰে তেওঁ গৃহটিৰ কাৰ্য সমাপ্ত
কৰিছিল। ২৬ ৰজা চলোমনে ইদোম দেশৰ চুফ সাগৰ তীৰত থকা
এলতৰ ওচৰৰ ইচিয়োন-গেবৰত এখন জাহাজ সাজিছিল। ২৭ তাতে
হীৰমে ৰজা চলোমনৰ দাসবোৰৰ লগত, সামুদ্ৰিক কাৰ্যত নিজৰ নিপুণ
নাবিক দাসবোৰক জাহাজলৈ পঠিয়াইছিল। ২৮ তেওঁলোকে ৰজা
চলোমনৰ দাসবোৰৰ সৈতে ওফীৰলৈ গৈছিল, আৰু তাৰ পৰা চাৰি শ
বিশ কিক্কৰ সোণ ৰজা চলোমনৰ কাৰণে লৈ আহিছিল।

**১০** যেতিয়া চিবা দেশৰ ৰাণীয়ে শুনিলে যে, যিহোৱাৰ নামৰ দ্বাৰাই
চলোমনৰ যশস্যাৰ কথা শুনিলে, তেতিয়া তেওঁক কঠিন প্ৰশ্নৰ দ্বাৰাই
পৰীক্ষা কৰিবলৈ তেওঁ আহিল। ২ তেওঁ অধিক লোকৰ সৈতে
যিৰূচালেমলৈ আহিল, লগতে তেওঁ উটৰ পিঠিত সুগন্ধি দ্ৰব্য, বহু
পৰিমাণৰ সোণ আৰু বহুমূলীয়া পাথৰ বোজা দি কঢ়িয়াই লৈ আহিল।
পাছত তেওঁ যেতিয়া আহি চলোমনৰ ওচৰ পালে, তেতিয়া তেওঁৰ মনৰ
সকলো কথা চলোমনৰ ওচৰত মুকলিলৈ ক'লে। ৩ তাতে চলোমনে

তেওঁৰ সকলো প্ৰশ্নৰ উত্তৰ দিলে৷ ৰজাই উত্তৰ নিদিয়াকৈ তেওঁৰ এনে
কোনো প্ৰশ্ন নাথাকিল৷ ৪ চিবাৰ ৰাণীয়ে যেতিয়া চলোমনৰ সকলো
জ্ঞান দেখিবলৈ পালে, তেওঁ নিৰ্মান কৰা ৰাজপ্ৰাসাদ দেখিলে, ৫
তেওঁৰ মেজত থকা আহাৰ, তেওঁৰ দাসবোৰে বহা ঠাইবোৰ, আৰু
তেওঁলোকৰ কৰ্মবোৰ, তেওঁলোকে পিন্ধা সাজ-পোচাক, আনকি পান-
পাত্ৰ কৰোঁতাসকল, আৰু তেওঁ যিহোৱাৰ গৃহলৈ হোম-বলি উৎসৰ্গ
কৰিবলৈ যোৱা পদ্ধতি, এইবোৰ দেখি তেওঁ মুগ্ধ হৈ গৈছিল। ৬
তেতিয়া তেওঁ ৰজাক ক'লে, "মই নিজ দেশত আপোনাৰ বাক্য আৰু
জ্ঞানৰ বিষয়ে যি কথা শুনিলোঁ, সেয়ে সঁচা।" ৭ মই আহি যেতিয়ালৈকে
নিজ চকুৰে দেখা নাছিলোঁ, তেতিয়ালৈকে মই সেই কথাৰ বিষয়ে
বিশ্বাস কৰা নাছিলো৷ আপোনাৰ জ্ঞান আৰু ধনৰ বিষয়ে মোক তেতিয়া
আধাও কোৱা নাছিল! মই যি কথা শুনিছিলোঁ আপোনাৰ সেই যশস্যা
তাতোকৈয়ো অধিক। ৮ আপোনাৰ যি লোকসকল আৰু আপোনাৰ
যি দাসবোৰে আপোনাৰ আগত সদায় থিয় হৈ আপোনাৰ জ্ঞানৰ
কথা শুনে, তেওঁলোক অতি ধন্য। ৯ যি জনে আপোনাক ইস্ৰায়েলৰ
সিংহাসনৰ ওপৰত বহুৱাবলৈ আপোনাত সন্তোষ পালে, আপোনাৰ
সেই ঈশ্বৰ যিহোৱা ধন্য৷ কিয়নো যিহোৱাই ইস্ৰায়েলক সদাকাললৈকে
প্ৰেম কৰে, সেই কাৰণে তেওঁ বিচাৰ আৰু ধৰ্ম প্ৰচলিত কৰিবলৈ
আপোনাক ৰাজপদত নিযুক্ত কৰিলে।" ১০ তেওঁ ৰজাক এশ বিশ
কিক্কৰ সোণ, অতি অধিক সুগন্ধি দ্ৰব্য আৰু বহুমূলীয়া মণি দিলে।
চিবাৰ ৰাণীয়ে চলোমন ৰজাক যিমান সুগন্ধি দ্ৰব্য দিলে, সিমান অধিক
সুগন্ধি দ্ৰব্য ৰজা চলোমনলৈ কেতিয়াও তেনেকৈ দিয়া হোৱা নাছিল।
১১ হীৰমৰ যি জাহাজে ওফীৰৰ পৰা সোণ আনিছিল, সেই জাহাজৰ
দ্বাৰাই ওফীৰৰ পৰা বিস্তৰ অলমূগ কাঠ আৰু বহুমূল্য মণিও আনিছিল।
১২ ৰজাই সেই অলমূগ কাঠেৰে যিহোৱাৰ গৃহ আৰু ৰাজগৃহৰ বাবে
খুঁটা সাজিছিল আৰু গায়কসকলৰ কাৰণে বীণা আৰু নেবল সজাইছিল;
তেনেকুৱা অলমূগ কাঠ আজিলৈকে কেতিয়াও অহা নাই আৰু কোনেও
দেখা নাই। ১৩ ৰজা চলোমনে চিবাৰ ৰাণীক দিবলৈ বাধ্য হোৱা বস্তুৰ
বাহিৰে, তেওঁ যি যি বিচাৰিছিল আৰু যিয়ে খুজিছিল সেই অনুসাৰে

তেওঁক সকলো দিলে। তাৰ পাছত ৰাণী আৰু তেওঁৰ দাসবোৰ নিজ
দেশলৈ ঘূৰি গ'ল। ১৪ সেই সময়ত এবছৰত চলোমনলৈ ছশ ছয়ষষ্ঠী
কিক্কৰ সোণ আহিছিল। ১৫ ইয়াৰ বাহিৰেও বেপাৰীসকলৰ পৰা
আৰু বণিকসকলৰ বাণিজ্যৰ পৰা তেওঁলোকে চলোমনলৈ সোণ
আনিছিল৷ আৰবৰ সকলো ৰজা আৰু দেশাধ্যক্ষসকলেও চলোমনলৈ
সোণ আৰু ৰূপ আনিছিল৷ ১৬ ৰজা চলোমনে সোণ পিটাই দুশটা
বৰ ঢাল সজাইছিল৷ প্ৰত্যেকটো ঢালত ছশ চেকল সোণ প্ৰয়োজন
হৈছিল৷ ১৭ তেওঁ সোণ পিটাই আকৌ তিনিশটা ঢাল যুগুত কৰিলে৷
সেই প্ৰত্যেকটো ঢালত তিনি মানি সোণ খৰচ হৈছিল। তাৰ পাছত
ৰজাই সেইবোৰ লিবানোনৰ কাঠনিৰ গৃহত ৰাখিছিল। ১৮ তাৰ
পাছত ৰজাই হাতী দাঁতৰ এখন ডাঙৰ সিংহাসন সজালে, আৰু সেই
সিংহাসনৰ ওপৰত উত্তম সোণৰ পতা মাৰিলে। ১৯ সিংহাসন খনত
ছখপিয়া খটখটী আছিল আৰু সিংহাসনৰ ওপৰ ভাগৰ পাছ ফালটো
ঘূৰণীয়া আছিল৷ বহা ঠাইৰ দুয়োফালে হাত ৰখাৰ বাবে ব্যৱস্থা আছিল
আৰু সেই হাত ৰখা ঠাইৰ কাষত দুইফালে দুটা সিংহৰ মুৰ্ত্তি থিয়
কৰোঁৱা আছিল। ২০ সেই ছয়খাপৰ সিংহাসন খনৰ প্ৰতিটো খলপৰ
দুই মূৰে এটা এটা কৈ বাৰ টা সিংহৰ মূৰ্তি থিয় হৈ আছিল। এনে
আকৃতিৰ সিংহাসন আন কোনো ৰাজ্যত নাছিল। ২১ ৰজা চলোমনৰ
সকলো পানপাত্ৰ সোণৰ আছিল আৰু লিবানোনৰ গৃহৰ আটাই পাত্ৰ
শুদ্ধ সোণৰ আছিল৷ ৰূপৰ একোৱেই নাছিল, কিয়নো চলোমনৰ
ৰাজত্বৰ কালত ৰূপক বহু মূল্যৱান বুলি গণ্য কৰা হোৱা নাছিল। ২২
সমূদ্ৰত হীৰমৰ জাহাজবোৰৰ সৈতে চলোমনৰ জাহাজবোৰ আছিল;
সেই জাহাজবোৰে সোণ, ৰূপ, হাতীদাঁত, বান্দৰ, আদি লৈ প্ৰত্যেক
তিনিবছৰৰ মূৰত এবাৰ এবাৰ আহিছিল। ২৩ এইদৰে ঐশ্বৰ্য্য আৰু
জ্ঞানত ৰজা চলোমনে পৃথিৱীত থকা সকলো ৰজাতকৈ প্ৰধান আছিল।
২৪ ঈশ্বৰে চলোমনৰ মনত যি জ্ঞান দিছিল, তেওঁৰ সেই জ্ঞানৰ
কথা শুনিবৰ বাবে গোটেই পৃথিৱীৰ মানুহে তেওঁক সাক্ষাত কৰিব
বিচাৰিছিল। ২৫ যিসকল লোক তেওঁৰ ওচৰলৈ আহিছিল, তেওঁলোকে
নিজ নিজ উপহাৰ লৈ আহিছিল; তেওঁলোকে সোণ আৰু ৰূপৰ পাত্ৰ,

বস্ত্ৰ, অস্ত্ৰ, সুগন্ধি দ্ৰব্য, ঘোঁৰা আৰু খছৰ প্ৰত্যেক বছৰে বছৰে লৈ
আহিছিল। ২৬ চলোমনে ৰথ আৰু অশ্বাৰোহী লোকসকলক একত্ৰিত
কৰিছিল। তেওঁৰ এক হাজাৰ চাৰিশ ৰথ আৰু বাৰ হাজাৰ অশ্বাৰোহী
আছিল; তেওঁ তেওঁলোকক নানা ৰথ-নগৰত আৰু যিৰূচালেমতো তেওঁ
নিজৰ লগত ৰাখিছিল। ২৭ ৰজাৰ লগত ৰূপ যিৰূচালেমৰ মাটিত
পোৰা শিলবোৰতকৈয়ো অধিক আছিল৷ তেওঁ এৰচ কাঠক নিম্ন-
ভূমিত থকা ডিমৰু গছবোৰতকৈয়ো অধিক কৰিছিল। ২৮ চলোমনৰ
যিবোৰ ঘোঁৰা আছিল, সেই ঘোঁৰাবোৰ মিচৰ পৰা অনা হৈছিল৷ সেই
ঘোঁৰাবোৰ ৰজাঘৰীয়া বেপাৰীহঁতে মূল্য দি জাকে জাকে আনিছিল।
২৯ মিচৰৰ পৰা কিনি অনা এখন এখন ৰথৰ দাম ছশ চেকল ৰূপ আৰু
এটা এটা ঘোঁৰাৰ দাম এশ পঞ্চাশ চেকল ৰূপ; এইদৰে তেওঁলোকৰ
দ্বাৰাই হিত্তীয়া আৰু অৰামীয়া সকলো ৰজাৰ কাৰণেও সেইবোৰ অনা
হৈছিল।

**১১** সেই সময়ত ৰজা চলোমনে অনেক বিদেশী মহিলাক প্ৰেম
কৰিছিল ফৰৌণৰ জীয়েকৰ বাহিৰে তেওঁ মোৱাবীয়া, অম্মোনীয়া,
ইদোমীয়া, চীদোনীয়া আৰু হিত্তীয়াৰ মহিলাসকলকো প্ৰেম কৰিছিল৷ ২
যি যি জাতিবোৰৰ বিষয়ে যিহোৱাই ইস্ৰায়েলৰ সন্তান সকলক কৈছিল
যে, “তোমালোকে বিয়া পতাৰ বাবে তেওঁলোকৰ মাজলৈ নাযাবা
আৰু তেওঁলোককো তোমালোকৰ মাজত আহিবলৈ নিদিবা, কিয়নো
তেওঁলোকে তোমালোকৰ মন অৱশ্যে তেওঁলোকৰ দেৱতাবোৰলৈ
ঘূৰাব।” কিন্তু তেওঁলোকৰেই প্ৰেমত চলোমন আসক্ত হৈছিল। ৩
চলোমনৰ সাতশ ৰাজকুৱঁৰী পত্নী আৰু তিনিশ উপপত্নী আছিল৷
তেওঁৰ এই পত্নীসকলে তেওঁৰ মন অপথে লৈ গৈছিল। ৪ কিয়নো
চলোমনৰ বৃদ্ধ অৱস্থাত তেওঁৰ পত্নীসকলে তেওঁৰ মন অপথে নি
ইতৰ দেৱতাবোৰৰ পাছত চলালে; তেওঁ সম্পূৰ্ণৰূপে তেওঁৰ পিতৃ
দায়ূদৰ মনৰ দৰে তেওঁৰ মন নিজ ঈশ্বৰ যিহোৱাৰ আগত আত্মসমৰ্পণ
কৰা নাছিল। ৫ কাৰণ চলোমনে চীদোনীয়াসকলৰ দেৱী অষ্টাৰেতৰ
আৰু অম্মোনীয়াসকলৰ ঘিণলগীয়া দেৱতা মিল্কমৰ পথত চলিছিল৷
৬ এইদৰে চলোমনে যিহোৱাৰ দৃষ্টিত কু-আচৰণ কৰিছিল। তেওঁৰ

পিতৃ দায়ূদে যি দৰে সকলো ভাৱে যিহোৱাৰ পাছত চলিছিল, তেওঁ
সেইদৰে সম্পূৰ্ণৰূপে যিহোৱাৰ পাছত চলা নাছিল। ৭ সেই সময়ত
চলোমনে যিৰূচালেমৰ পূৱ দিশে থকা পৰ্বতত মোৱাবৰ ঘিণলগীয়া
দেৱতা কমোচ আৰু অম্মোনৰ সন্তান সকলৰ ঘিণলগীয়া দেৱতা
মোলকৰ কাৰণে এখন পবিত্ৰ ঠাই নিৰ্মাণ কৰিছিল। ৮ তেওঁৰ যিমান
বিদেশী পত্নী আছিল, সেই সকলোৰে কাৰণে তেওঁ পবিত্ৰ ঠাইবোৰ
নিৰ্মাণ কৰিছিল, আৰু এই ঠাইবোৰত তেওঁলোকৰ নিজ নিজ দেৱতাৰ
উদ্দেশ্যে তেওঁলোকে ধূপ জ্বলাইছিল আৰু বলিদান কৰিছিল৷ ৯
যিহোৱা চলোমনৰ ওপৰত ক্ৰুদ্ধ হ'ল, কিয়নো তেওঁৰ মন ইস্ৰায়েলৰ
ঈশ্বৰ যিহোৱাৰ পৰা অপথে গ'ল, যদিও তেওঁ দুবাৰ তেওঁক দৰ্শন
দিছিল, ১০ আৰু যি বিষয়ে তেওঁক আজ্ঞা দি অন্য দেৱতাবোৰৰ পাছত
যাবলৈ বাধা দিছিল; কিন্তু যিহোৱাই দিয়া সেই আজ্ঞা তেওঁ পালন
নকৰিলে। ১১ সেই কাৰণে যিহোৱাই চলোমনক ক'লে, “কিয়নো
তুমি এনে কৰ্ম কৰিলা আৰু মই তোমাক দিয়া মোৰ নিয়ম-চুক্তি আৰু
বিধিবোৰ পালন নকৰিলা, সেই বাবে মই নিশ্চয়ে তোমাৰ পৰা ৰাজ্য
কাঢ়ি লৈ তোমাৰ দাসক দিম। ১২ কিন্তু তোমাৰ পিতৃ দায়ূদৰ কাৰণে
মই তোমাৰ জীৱন কালত এনে ধৰণে নকৰিম, কিন্তু তোমাৰ পুত্ৰৰ
হাতৰ পৰা তাক কাঢ়ি ল'ম। ১৩ তথাপি মই গোটেই ৰাজ্য কাঢ়ি নল'ম
কিন্তু মোৰ দাস দায়ূদৰ বাবে আৰু মোৰ মনোনীত যিৰূচালেমৰ বাবে
তোমাৰ পুত্ৰক এক ফৈদ দিম।” ১৪ তেতিয়া যিহোৱাই ইদোমীয়া
হদদ নামেৰে চলোমনৰ এজন শত্ৰুক বিদ্ৰোহ কৰালে৷ তেওঁ ইদোম
দেশীয় ৰাজবংশৰ এজন লোক আছিল। ১৫ যি সময়ত দায়ুদ ইদোম
দেশত আছিল, তেতিয়া সেনাপতি যোৱাবে হত হোৱা প্ৰতিজন লোকক
ইদোমত মৈদাম দিবলৈ গৈছিল৷ ১৬ যোৱাব আৰু সমুদায় ইস্ৰায়েল
লোক ইদোমত ছমাহ থাকি ইদোমৰ সকলো পুৰুষক সংহাৰ কৰিছিল৷
১৭ কিন্তু সেই সময়ত হদদ কম বয়সীয়া হোৱা বাবে তেওঁৰ পিতৃৰ
দাসবোৰে তেওঁক আন ইদোমীয়া লোকসকলৰ সৈতে মিচৰলৈ লৈ
গৈছিল৷ ১৮ তেওঁলোকে মিদিয়নৰ পৰা ওলাই আহি পাৰণলৈ গৈছিল,
এই ঠাইৰ পৰা তেওঁলোকে মানুহ লগত লৈ মিচৰলৈ গৈছিল আৰু

পাছত মিচৰৰ ৰজা ফৰৌণৰ ওচৰলৈ গৈছিল৷ ৰজা ফৰৌণে তেওঁক
এটা ঘৰ দিছিল, আৰু জীৱিকাৰ উপায় নিৰূপণ কৰি তেওঁক মাটিও
দিছিল। ১৯ তাতে হদদে ফৰৌণৰ আগত ইমান অধিক অনুগ্ৰহ
পাইছিল যে, ফৰৌণে নিজ ভাৰ্য্যা ৰাণী তহপিনেচৰ ভনীয়েকক তেওঁৰ
সৈতে বিয়া দিছিল। ২০ তহপিনেচৰ সেই ভনীয়েকে হদদক এটি পুত্ৰ
জন্ম দিলে; তেওঁলোকে তাৰ নাম গনুবৎ ৰাখিলে; তাক তহপিনেচে
ফৰৌণৰ ঘৰতে ডাঙৰ-দীঘল কৰিলে৷ গনুবৎ ফৰৌণৰ ঘৰতে ফৰৌণৰ
পুত্ৰসকলৰ মাজতে বাস কৰিছিল। ২১ পাছত যেতিয়া দায়ূদ তেওঁৰ
পূৰ্বপুৰুষসকলৰ লগত নিদ্ৰিত হোৱা আৰু সেনাপতি যোৱাবৰ মৃত্যুৰ
কথা হদদে মিচৰ দেশত শুনিবলৈ পালে, তেতিয়া তেওঁ ফৰৌণক
ক'লে, “মোক বিদায় দিয়ক, মই নিজ দেশলৈ যাওঁ।” ২২ তেতিয়া
ফৰৌণে তেওঁক ক'লে, “মোৰ পৰা তোমাৰ কিহৰ অভাৱ হৈছে যে
তুমি নিজৰ দেশলৈ যাবলৈ ইচ্ছা কৰিছা?” হদদে ক'লে, “একোৰো
অভাৱ হোৱা নাই, মোক কেৱল যাবলৈ দিয়ক।” ২৩ ঈশ্বৰে চলোমনৰ
আন এজন শত্ৰুক বিদ্ৰোহ কৰাইছিল, তেওঁ হ'ল ইলিয়াদাৰ পুত্ৰ
ৰজোন; এই লোকজনে নিজ প্ৰভু চোবাৰ ৰজা হদদেজৰৰ পৰা পলাই
গৈছিল৷ ২৪ আৰু যি কালত দায়ূদে চোবীয়াহঁতক পৰাস্ত কৰিছিল,
সেই কালত ৰজোনে তেওঁ নিজৰ লগত মানুহ গোটাই দলৰ ওপৰত
দলপতি হৈছিল৷ তেতিয়া ৰজোনৰ সেই দলটোৱে দম্মেচকলৈ গৈছিল,
আৰু তাত বাস কৰি দম্মেচকৰ ওপৰত শাসন কৰিছিল। ২৫ হদদে
কৰা অপকাৰৰ বাহিৰেও, তেওঁ চলোমনৰ গোটেই আয়ুসৰ কালত
ইস্ৰায়েলৰ শত্ৰু হৈ থাকিল৷ তেওঁ ইস্ৰায়েলক ঘিণ কৰিলে আৰু অৰামৰ
ওপৰত ৰাজত্ব কৰিলে। ২৬ তেতিয়া চৰেদাত থকা ইফ্ৰয়িমীয়া
নবাটৰ পুত্ৰ যাৰবিয়াম নামেৰে চলোমনৰ এজন বিষয়া আছিল৷ তেওঁৰ
মাকৰ নাম চৰোৱা আৰু তাই এজনী বিধৱা মহিলা আছিল; তেৰোঁ
ৰজাৰ বিৰুদ্ধে হাত দাঙিলে। ২৭ তেওঁ ৰজাৰ বিৰুদ্ধে হাত দঙাৰ
কাৰণ আছিল যে চলোমনে মিল্লো নিৰ্মাণ কৰিছিল আৰু তেওঁৰ পিতৃ
দায়ূদৰ নগৰৰ গড়ৰ ভগা ঠাই এডোখৰ তেওঁ বন্ধ কৰিছিল। ২৮ সেই
যাৰবিয়াম এজন বলৱান আৰু সাহসিয়াল লোক আছিল৷ চলোমনে

সেই ডেকাজনক পৰিশ্ৰমী দেখি তেওঁক যোচেফৰ বংশৰ সকলো ভাৰ-
বোৱা লোকৰ ওপৰত অধ্যক্ষ পাতিছিল। ২৯ যি সময়ত যাৰবিয়াম
যিৰূচালেমৰ পৰা বাহিৰলৈ ওলাই আহিছিল, সেই সময়ত চীলোনীয়া
অহীয়া ভাববাদীয়ে তেওঁক বাটত লগ পালে; তেতিয়া অহীয়াই গাত
নতুন কাপোৰ পিন্ধি আছিল আৰু পথাৰত তেওঁলোক দুজন অকলে
আছিল। ৩০ তেতিয়া অহীয়াৰ নিজৰ গাত থকা সেই নতুন কাপোৰ
ধৰি তাক ফালি-চিৰি বাৰ ডোখৰ কৰিলে৷ ৩১ তেওঁ যাৰবিয়ামক ক'লে,
"তুমি ইয়াৰ দহ ডোখৰ লোৱা, কিয়নো ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাই
এই দৰে কৈছে, 'চোৱা, মই চলোমনৰ হাতৰ পৰা ৰাজ্য কাঢ়ি লৈ
তোমাক দহটা ফৈদ দিম। ৩২ কিন্তু মোৰ দাস দায়ূদৰ কাৰণে আৰু
ইস্ৰায়েলৰ সমুদায় ফৈদৰ মাজৰ পৰা মই মনোনীত কৰা যিৰূচালেমৰ
কাৰণে তেওঁ এক ফৈদ পাব৷ ৩৩ কাৰণ তেওঁলোকে মোক ত্যাগ
কৰিলে আৰু চীদোনীয়াসকলৰ অষ্টাৰেৎ দেৱীক, মোৱাবৰ কমোচ
দেৱতাক আৰু অম্মোনৰ সন্তান সকলৰ মিল্কম দেৱতাক সেৱা-পূজা
কৰিলে৷ তেওঁলোকে নিজ পিতৃ দায়ূদৰ নিচিনাকৈ, মোৰ দৃষ্টিত যি
ভাল তাক কৰিবলৈ আৰু মোৰ বিধি আৰু শাসন-প্ৰণালীবোৰ পালন
কৰিবলৈ তেওঁলোকে মোৰ পথত চলা নাই। ৩৪ তথাপি মই চলোমনৰ
হাতৰ পৰা সমুদায় ৰাজ্যখন নল'ম, কিন্তু মোৰ আজ্ঞা আৰু বিধিবোৰ
পালন কৰাৰ কাৰণে মই মনোনীত কৰা মোৰ দাস দায়ূদৰ বাবে মই
চলোমনৰ জীৱনকালত তেওঁক শাসনকৰ্ত্তা কৰি ৰাখিছো। ৩৫ কিন্তু
তেওঁৰ পুত্ৰৰ হাতৰ পৰা ৰাজ্য লৈ তোমাক দহটা ফৈদ দিম। ৩৬ আৰু
মোৰ নাম স্থাপন কৰিবৰ কাৰণে মই মনোনীত কৰা যিৰূচালেম নগৰৰ
মাজত যেন মোৰ দাস দায়ূদৰ প্ৰদীপ মোৰ সন্মুখত সদায় জ্বলে, এই
কাৰণে তেওঁৰ পুত্ৰক এক ফৈদ দিম। ৩৭ তাতে মই তোমাক গ্ৰহণ
কৰিম আৰু তুমি তোমাৰ মনৰ সকলো ইচ্ছাৰ দৰে ৰাজত্ব কৰিবা আৰু
ইস্ৰায়েলৰ ৰজা হ'বা। ৩৮ আৰু যদি তুমি মোৰ দাস দায়ূদে কৰাৰ
দৰে, মোৰ বিধি আৰু আজ্ঞা পালন কৰিবলৈ মোৰ সকলো আদেশত
মনোযোগ দি মোৰ পথত চলা আৰু মোৰ দৃষ্টিত যি ভাল তাকে কৰা,
তেতিয়া মই তোমাৰ লগত থাকিম; আৰু মই যেনেকৈ দায়ূদৰ কাৰণে

কৰিলোঁ, তেনেকৈ তোমাৰ কাৰণেও এক দৃঢ় বংশ স্থাপন কৰিম আৰু
ইস্রায়েলক তোমাক দিম। ৩৯ মই দায়ূদৰ বংশক ক্লেশ দিম কিন্তু
সদাকাললৈকে নহয়'।" ৪০ এই কাৰণে চলোমনে যাৰবিয়ামক বধ
কৰিবলৈ বিচাৰিলে, কিন্তু যাৰবিয়াম মিচৰলৈ গ'ল, আৰু মিচৰৰ ৰজা
চীচকৰ ওচৰলৈ পলাই গ'ল। চলোমনৰ মৃত্যু নোহোৱালৈকে তেওঁ
মিচৰতে থাকিল। ৪১ চলোমনৰ অৱশিষ্ট বৃত্তান্ত, তেওঁৰ সকলো কাৰ্য
আৰু জ্ঞানৰ কথা জানো চলোমনৰ জীৱন-চৰিত্ৰৰ পুস্তকত লিখা নাই?
৪২ চলোমনে যিৰূচালেমত সমুদায় ইস্রায়েলৰ ওপৰত চল্লিশ বছৰ
ৰাজত্ব কৰিছিল। ৪৩ পাছত চলোমন তেওঁৰ পূৰ্ব-পুৰুষসকলৰ লগত
নিদ্রিত হ'ল আৰু তেওঁক তেওঁৰ পিতৃ দায়ূদৰ নগৰত মৈদাম দিয়া
হ'ল৷ তেতিয়া তেওঁৰ পুত্ৰ ৰহবিয়াম তেওঁৰ পদত ৰজা হ'ল।

**১২** পাছত ৰহবিয়াম চিখিমলৈ গ'ল, কিয়নো তেওঁক ৰজা পাতিবৰ
কাৰণে সমুদায় ইস্রায়েল চিখিমলৈ আহিছিল। ২ তেতিয়া এনে ঘটিল যে
নবাটৰ পুত্ৰ যাৰবিয়ামে সেই বাতৰি শুনিলে, কিয়নো তেওঁ সেই সময়ত
মিচৰত আছিল; চলোমন ৰজাৰ ভয়ত তেওঁ তালৈ পলাই গৈ তাত
বাস কৰি আছিল৷ ৩ তেতিয়া লোকসকলে মানুহ পঠিয়াই ৰহবিয়ামক
মাতি আনিলে৷ তেতিয়া যাৰবিয়াম আৰু ইস্রায়েলৰ গোটেই সমাজে
আহি ৰহবিয়ামক এই কথা ক'লে, ৪ "আপোনাৰ পিতৃয়ে আমাক
কঠোৰ পৰিশ্ৰম কৰিবলৈ জোৰ কৰিছিল৷ তেওঁ যি কঠোৰ পৰিশ্ৰম
আমাৰ দ্বাৰাই কৰাই আছে, সেই কাৰ্যৰ ভাৰ যদি আপুনি কিছু লঘু
কৰে; তেতিয়াহলে আমি আপোনাক সেৱা কৰি থাকিম।" ৫ তেতিয়া
ৰহবিয়ামে তেওঁলোকক ক'লে, "তিনি দিনলৈ আতৰি থকা, তাৰ পাছত
মোৰ ওচৰলৈ ঘূৰি আহা৷" তেতিয়া লোকসকল গুচি গ'ল। ৬ পাছত
ৰজা ৰহবিয়ামে তেওঁৰ পিতৃ চলোমন জীয়াই থকাৰ কালত যি বৃদ্ধ
লোকসকল তেওঁৰ আগত থিয় হৈছিল, তেওঁলোকৰ লগত আলোচনা
কৰি সুধিলে, "মই সেই লোকসকলক উত্তৰ দিবলৈ আপোনালোকে
মোক কি পৰামৰ্শ দিব?" ৭ তেতিয়া তেওঁলোকে তেওঁক ক'লে,
"আপুনি যদি আজি সেই লোকসকলৰ দাস হৈ তেওঁলোকক সেৱা
কৰে আৰু সুকথা কৈ তেওঁলোকক উত্তৰ দিয়ে, তেতিয়া তেওঁলোক

চিৰকাললৈকে আপোনাৰ দাস হৈ থাকিব।” ৮ কিন্তু ৰহবিয়ামে বৃদ্ধ
লোকসকলে দিয়া পৰামৰ্শ তেওঁ অৱজ্ঞা কৰিলে, আৰু তেওঁৰে সৈতে
একে লগে ডাঙৰ দীঘল হোৱা যি ডেকাসকল তেওঁৰ সন্মুখত থিয়
দি আছিল, তেওঁলোকৰ সৈতে তেওঁ আলোচনা কৰিলে। ৯ তেওঁ
তেওঁলোকক সুধিলে, “যি সকল লোকে, ‘আপোনাৰ পিতৃয়ে যি কঠোৰ
পৰিশ্ৰম আমাৰ দ্বাৰাই কৰাইছে সেই কাৰ্যৰ ভাৰ কিছু লঘু কৰক’,
এইদৰে মোৰ আগত ক’লে, তেওঁলোকক উত্তৰ দিবলৈ তোমালোকে
মোক কি পৰামৰ্শ দিয়া?” ১০ তাতে তেওঁৰে সৈতে ডাঙৰ দীঘল হোৱা
সেই ডেকাসকলে তেওঁক ক’লে, “আপোনাৰ পিতৃয়ে তেওঁলোকৰ
ওপৰত কঠোৰ পৰিশ্ৰম কাৰ্যৰ ভাৰ দি গ’ল আৰু আপোনাক সেই ভাৰ
কিছু লঘু কৰিবলৈ বুলি আপোনাৰ আগত কোৱা সেই লোকসকলক
এই কথা ক’ব, ‘মোৰ কেঁঞা আঙুলিটো মোৰ পিতৃৰ ককালতকৈয়ো
ডাঙৰ। ১১ এই হেতুকে শুনা, মোৰ পিতৃয়ে তোমালোকৰ ওপৰত যি
কঠোৰ পৰিশ্ৰম কাৰ্যৰ ভাৰ দি গ’ল, মই সেই ভাৰ পুনৰ গধুৰ কৰিম৷
মোৰ পিতৃয়ে তোমালোকক চাবুকেৰে শাস্তি দিছিল, কিন্তু মই হ’লে
তোমালোকক কেঁকোৰাবিছাৰে শাস্তি দিম’৷ এই বুলি তেওঁলোকক
ক’ব।” ১২ পাছত “তৃতীয় দিনা মোৰ ওচৰলৈ আকৌ আহিবা”, ৰজাই
কোৱা এই কথাৰ দৰেই যাৰবিয়াম আদি কৰি সকলো লোক তৃতীয়
দিনা ৰহবিয়ামৰ ওচৰলৈ আহিল। ১৩ তেতিয়া ৰজাই লোকসকলক
টান শব্দৰ কথাৰে উত্তৰ দিলে আৰু তেওঁক বৃদ্ধলোক সকলে দিয়া
পৰামৰ্শবোৰ তেওঁ অৱজ্ঞা কৰিলে৷ ১৪ সেই ডেকাসকলৰ পৰামৰ্শ
অনুসাৰে তেওঁলোকক এই কথা ক’লে, “মোৰ পিতৃয়ে তোমালোকৰ
ওপৰত গধুৰ যুৱলি দি গ’ল, কিন্তু মই তাক পুনৰ গধুৰ কৰিম।
মোৰ পিতৃয়ে তোমালোকক চাবুকেৰে শাস্তি দিছিল, কিন্তু মই হলে
তোমালোকক কেঁকোৰাবিছাৰে শাস্তি দিম৷” ১৫ এইদৰে ৰজাই
লোকসকলৰ কথালৈ কাণ নিদিলে, কিয়নো চীলোনীয়া অহীয়াৰ মুখেৰে
নবাটৰ পুত্ৰ যাৰবিয়ামক যিহোৱাই কোৱা নিজ বাক্য সিদ্ধ কৰিবৰ অৰ্থে
যিহোৱাৰ পৰা এই ঘটনা হ’ল। ১৬ যেতিয়া গোটেই ইস্ৰায়েলে দেখিলে
যে ৰজাই তেওঁলোকৰ কথালৈ কাণ দিয়া নাই, তেতিয়া তেওঁলোকে

ৰজাক উত্তৰ দি ক'লে, "দায়ুদত আমাৰ কি ভাগ আছে? যিচয়ৰ পুত্ৰত
আমাৰ কোনো অধিকাৰ নাই! হে ইস্ৰায়েল নিজ নিজ তম্বুলৈ গুচি
যোৱা! হে দায়ুদ এতিয়া তুমি নিজ বংশলৈ চোৱা।" তেতিয়া ইস্ৰায়েলে
নিজ নিজ তম্বুলৈ গুচি গ'ল। ১৭ কিন্তু যিহূদাৰ নগৰ বোৰত বাস কৰা
ইস্ৰায়েলৰ সন্তান সকলৰ ওপৰত ৰহবিয়ামেই ৰজা হৈ থাকিল। ১৮
পাছত ৰজা ৰহবিয়ামে বন্দী-কাম কৰাবোৰৰ অধ্যক্ষ অদোৰামক
পঠিয়াওতে, গোটেই ইস্ৰায়েলে তেওঁলৈ এনেকৈ শিল দলিয়ালে যে,
তেওঁৰ তাতেই মৃত্যু হ'ল৷ আৰু ৰজা ৰহবিয়ামে যিৰূচালেমলৈ পলাই
যাবৰ বাবে বেগা বেগীকৈ নিজৰ ৰথত উঠিল। ১৯ এইদৰে ইস্ৰায়েলে
দায়ুদৰ বংশৰ বিৰুদ্ধে বিদ্ৰোহ আচৰণ কৰিলে আৰু আজিলৈকে সেই
ভাৱেই আছে। ২০ গোটেই ইস্ৰায়েলে যাৰবিয়াম ঘূৰি অহা কথা
শুনি, দূত পঠিয়াই তেওঁক সমাজৰ ওচৰলৈ মতাই আনি গোটেই
ইস্ৰায়েলৰ ওপৰত ৰজা পাতিলে৷ তাতে কেৱল যিহূদা ফৈদৰ বাহিৰে,
আন কোনেও দায়ুদৰ বংশৰ পাছত চলোঁতা নহ'ল। ২১ ৰহবিয়াম
যেতিয়া যিৰূচালেমলৈ আহিল, তেতিয়া যিহূদা আৰু বিন্যামীন ফৈদৰ
লোকসকলক একগোট কৰিলে, তাতে এক লাখ আশী হাজাৰ যুদ্ধাৰু
লোকক মনোনীত কৰিলে, যাতে ইস্ৰায়েলৰ বংশৰ বিৰুদ্ধে তেওঁলোকে
যুদ্ধ কৰিব আৰু চলোমনৰ পুত্ৰ ৰহবিয়ামৰ অধীনলৈ ৰাজ্য পুনৰায়
আনিব পাৰিব। ২২ কিন্তু ঈশ্বৰৰ লোক চময়িয়াৰ ওচৰলৈ ঈশ্বৰৰ বাক্য
আহিল, বোলে, ২৩ "তুমি যিহূদাৰ ৰজা চলোমনৰ পুত্ৰ ৰহবিয়ামক,
যিহূদা আৰু বিন্যামীনৰ গোটেই বংশক আৰু আন লোকসকলক কোৱা
বোলে, ২৪ 'যিহোৱাই এই কথা কৈছে: তোমালোকে নিজ নিজ
ভাই ইস্ৰায়েল সন্তান সকলক আক্ৰমণ আৰু তেওঁলোকৰ বিৰুদ্ধে যুদ্ধ
নকৰিবা; প্ৰতিজন নিজ নিজ ঘৰলৈ ঘূৰি যোৱা, কিয়নো মোৰ দ্বাৰাইহে
এই কাৰ্য হৈছে'।" তেতিয়া লোকসকলে যিহোৱাৰ সেই বাক্য শুনি,
তেওঁৰ বাক্য অনুসাৰে নিজ নিজ বাটেদি ঘূৰি গুচি গ'ল। ২৫ পাছত
যাৰবিয়ামে ইফ্ৰয়িম পৰ্বতীয়া অঞ্চলত চিখিম নগৰ সাজি তাৰ মাজতে
বাস কৰিলে৷ তেওঁ তাৰ পৰা গৈ পনূৱেল নগৰো সাজিলে। ২৬ তেতিয়া
যাৰবিয়ামে নিজৰ মনতে ভাবিলে, "এতিয়া দায়ূদৰ বংশলৈ ৰাজ্য

পুনৰায় ঘূৰি আহিব৷ ২৭ এই লোকসকলে যদি যিৰূচালেমত থকা
যিহোৱাৰ গৃহত বলি উৎসৰ্গ কৰিবলৈ যায়, তেতিয়া তেওঁলোকৰ
প্ৰভু যিহূদাৰ ৰজা ৰহবিয়ামলৈ পুনৰায় এই লোকসকলৰ মন ঘূৰিব;
তেতিয়া তেওঁলোকে মোক বধ কৰি পুনৰায় যিহূদাৰ ৰজা ৰহবিয়ামৰ
ফলীয়া হ'ব।" ২৮ এই কাৰণে ৰজাই পৰামৰ্শ লৈ সোণৰ দুটা দামুৰি
নিৰ্মাণ কৰিলে; তেওঁ লোকসকলক ক'লে, "তোমালোক যিৰূচালেমলৈ
অহা-যোৱা কৰা বৰ বহুল্য; এতেকে হে ইস্ৰায়েল, চোৱা, যি জনে
মিচৰ দেশৰ পৰা তোমালোকক উলিয়াই আনিলে, তোমালোকৰ সেই
ঈশ্বৰ এৱেঁই।" ২৯ তেওঁ তাৰে এটা বৈৎএলত আৰু আনটো দানত
স্থাপন কৰিলে। ৩০ এই কাৰ্য পাপৰ কাৰণ হ'ল, কিয়নো লোকসকলে
সেই দুই প্ৰতিমাৰ আগত সেৱা কৰিবলৈ দানলৈকে বা আনটো ঠাইলৈ
অহা-যোৱা কৰিবলৈ ধৰিলে। ৩১ যাৰবিয়ামে পবিত্ৰ ঠাইবোৰত মন্দিৰ
সাজিলে; আৰু যিসকল লেবীৰ সন্তান নাছিল, সেই লোকসকলৰ মাজৰ
পৰাও পুৰোহিত পাতিলে। ৩২ পাছত যাৰবিয়ামে অষ্টম মাহৰ পঞ্চদশ
দিনা, যিহূদাৰ উৎসৱৰ দৰে এক উৎসৱ পাতি যজ্ঞবেদীলৈ উঠি গ'ল৷
তেওঁ বৈৎএলত এই দৰে কৰিলে আৰু নিজে নিৰ্ম্মাণ কৰা দামুৰি
দুটাৰ আগত বলি উৎসৰ্গ কৰিলে আৰু বৈৎএলত নিজে সজা পবিত্ৰ
ঠাইবোৰত পুৰোহিতসকলক ৰাখিলে। ৩৩ অষ্টম মাহত যৰবিয়ামে
অৰ্থাৎ যি মাহ তেওঁ নিজ ইচ্ছামতে নিৰূপণ কৰিছিল, সেই অষ্টম মাহৰ
পঞ্চদশ দিনা বৈৎএলত তেওঁ নিৰ্ম্মাণ কৰা যজ্ঞবেদীলৈ উঠি গৈছিল;
তেওঁ ইস্ৰায়েলৰ সন্তান সকলৰ কাৰণে এক উৎসৱ নিৰূপণ কৰিছিল,
আৰু ধূপ জ্বলাবৰ বাবে যজ্ঞবেদীলৈ উঠি গৈছিল।

**১৩** সেই সময়ত ঈশ্বৰৰ এজন লোক যিহোৱাৰ বাক্যৰ প্ৰভাৱত
যিহূদাৰ পৰা বৈৎএললৈ আহি আছিল। তেতিয়া যাৰবিয়ামে ধূপ
জ্বলাবৰ কাৰণে যজ্ঞ-বেদীৰ কাষত থিয় হৈ আছিল৷ ২ তেতিয়া
সেই লোকজনে যজ্ঞবেদীৰ বিৰুদ্ধে যিহোৱাৰ বাক্যৰ প্ৰভাৱত এই
কথা ঘোষণা কৰিলে বোলে, "হে বেদী, বেদী, যিহোৱাই এই কথা
কৈছে, 'চোৱা, দায়ুদৰ বংশত যোচিয়া নামেৰে এটি পুত্ৰ জন্মিব আৰু
তোমাৰ ওপৰত ধূপ জ্বলাওঁতা সেই পবিত্ৰ ঠাইৰ পুৰোহিতসকলক

তোমাৰ ওপৰত বলিদান কৰিব; আৰু তোমাৰ ওপৰত মনুষ্যৰ হাড়
দগ্ধ কৰিব’।” ৩ এনেতে সেইদিনাই তেওঁ এটা চিন নিৰূপণ কৰি
ক’লে, “চোৱা, যিহোৱাই কোৱা প্ৰমাণৰ চিন এই: এই যজ্ঞবেদী ফাটি
ভাগ হৈ যাব, আৰু তাৰ ওপৰত থকা ভস্ম মাটিত ছটিওৱা হ’ব’।”
৪ যেতিয়া ৰজাই, বৈৎএলত থকা যজ্ঞবেদীৰ বিৰুদ্ধে ঘোষণা কৰা
সেই ঈশ্বৰৰ লোকজনৰ কথা শুনিলে, তেতিয়া তেওঁ যজ্ঞবেদীৰ পৰা
হাত মেলি ক’লে, “তেওঁক ধৰা!” তেতিয়া সেই ঈশ্বৰৰ লোকজনৰ
বিৰুদ্ধে মেলা ৰজাৰ নিজ হাত এনেকৈ শুকাই গ’ল যে, তেওঁ সেই হাত
পুনৰ কোঁচাব নোৱাৰিলে। ৫ আৰু ঈশ্বৰৰ লোকজনে ঈশ্বৰৰ বাক্য
প্ৰভাৱত যি চিন নিৰূপণ কৰিছিল, সেই অনুসাৰে যজ্ঞবেদী ফাটি ভাগ
হ’ল আৰু যজ্ঞবেদীৰ পৰা ভস্ম পৰি গ’ল। ৬ তেতিয়া ৰজাই ঈশ্বৰৰ
লোকজনক উত্তৰ দি ক’লে, “মোৰ হাত যেন পুনৰায় সুস্থ হয়, এই
কাৰণে তুমি নিজ ঈশ্বৰ যিহোৱাৰ আগত অনুগ্ৰহ যাচনা কৰি মোৰ
কাৰণে প্ৰাৰ্থনা কৰা।” তেতিয়া ঈশ্বৰৰ সেই লোকজনে যিহোৱালৈ
প্ৰাৰ্থনা কৰিলে আৰু ৰজাৰ হাত সুস্থ হৈ আগৰ দৰে হ’ল। ৭ ৰজাই
ঈশ্বৰৰ লোকজনক ক’লে, “তুমি মোৰ লগত ঘৰলৈ আহি প্ৰাণ জুৰুউৱা
আৰু তুমি যি কৰ্ম কৰিলা তাৰ বাবে মই তোমাক এক উপহাৰ দিম।”
৮ কিন্তু ঈশ্বৰৰ লোকজনে ৰজাক ক’লে, “তুমি যদি মোক তোমাৰ আধা
সম্পত্তিও দিয়া, তথাপি মই তোমাৰ লগত নাযাও আৰু এই ঠাইত
ভোজন বা জল পান নকৰিম, ৯ কিয়নো যিহোৱাৰ বাক্যৰ দ্বাৰাই
মোক এই দৰে আজ্ঞা দিয়া হৈছিল যে, ‘তুমি অন্ন ভোজন আৰু জল
পান নকৰিবা, আনকি যি বাটেদি সেই ঠাইলৈ গৈছিলা, সেই একে
বাটেদি ঘূৰিও নাহিবা’।” ১০ তাৰ পাছত তেওঁ যি বাটেদি বৈৎএললৈ
আহিছিল, সেই বাটেদি নগৈ আন বাটেদি ঘৰলৈ প্ৰস্থান কৰিলে। ১১
সেই সময়ত বৈৎএলত এজন বৃদ্ধ ভাববাদী বাস কৰিছিল৷ তেওঁৰ
পুত্ৰসকলৰ মাজৰ এজনে, সেই দিনা বৈৎএলত ঈশ্বৰৰ লোকজনে
কৰা সকলো কৰ্মৰ কথা, তেওঁক আহি ক’লে৷ তেওঁ ৰজাৰ আগত যি
কথা কৈছিল, সেই বিষয়েও তেওঁৰ পুত্ৰসকলে তেওঁৰ আগত ক’লে।
১২ তেতিয়া তেওঁলোকৰ পিতৃয়ে তেওঁলোকক সুধিলে, “তেওঁ কোন

বাটেদি গ’ল?” কিয়নো তেওঁৰ পুত্ৰসকলে যিহূদাৰ পৰা অহা ঈশ্বৰৰ
সেই লোকজনে কোন বাটেদি গৈছিল, তাক তেওঁলোকে দেখিছিল।
১৩ তেতিয়া তেওঁ নিজ পুত্ৰসকলক ক’লে, মোৰ কাৰণে গাধত জীন
লগোৱা। তেওঁলোকে তেওঁৰ কাৰণে গাধত জীন লগালে আৰু তেওঁ
তাৰ ওপৰত উঠি গুচি গ’ল৷ ১৪ সেই বৃদ্ধ ভাববাদী জনে ঈশ্বৰৰ
লোকজনৰ পাছত গৈ, তেওঁক এজোপা এলা গছৰ তলত বহি থকা
পালে; আৰু তাতে তেওঁ ঈশ্বৰৰ লোকজনক সুধিলে, “যিহূদাৰ পৰা
অহা ঈশ্বৰৰ লোকজন আপুনিয়েই নে?” তেওঁ ক’লে, “হয় মইয়েই।”
১৫ তেতিয়া বৃদ্ধ ভাববাদীজনে তেওঁক ক’লে, “মোৰ লগত ঘৰলৈ
আহি ভোজন কৰক।” ১৬ তেতিয়া তেওঁ বৃদ্ধ ভাববাদীজনক ক’লে,
“মই তোমাৰ লগত ঘূৰি যাব আৰু তোমাৰ লগত ঘৰত সোমাব
নোৱাৰোঁ; আৰু তোমাৰ লগত সেই ঠাইত অন্ন ভোজন আৰু জল
পান নকৰোঁ, ১৭ কিয়নো যিহোৱাৰ বাক্যৰ দ্বাৰাই মোক আজ্ঞা দিয়া
হৈছে যে, ‘তুমি অন্ন ভোজন আৰু জল পান নকৰিবা, আৰু যি বাটেদি
যাবা, সেই বাটেদি ঘূৰি নাহিবা’।” ১৮ তেতিয়া বৃদ্ধ ভাববাদীজনে
তেওঁক ক’লে, “তোমাৰ নিচিনা ময়ো এজন ভাববাদী আৰু এজন দূতে
যিহোৱাৰ বাক্যৰ দ্বাৰাই মোক এই কথা ক’লে, ‘তেওঁ অন্ন ভোজন আৰু
জল পান কৰিবৰ কাৰণে, তুমি যেন তেওঁক তোমাৰ ঘৰলৈ ঘূৰাই
আনাগৈ’।” কিন্তু বৃদ্ধ ভাববাদীজনে তেওঁৰ আগত মিছা কথা কৈছিল।
১৯ তেতিয়া তেওঁ সেই বৃদ্ধ ভাববাদীজনৰ লগত ঘূৰি আহিল আৰু
তেওঁৰ ঘৰত অন্ন ভোজন আৰু জল পান কৰিলে। ২০ তেওঁলোকে
মেজত বহি থকা সময়ত, তেওঁক ঘূৰাই অনা সেই ভাববাদীজনৰ
ওচৰলৈ যিহোৱাৰ বাক্য আহিল; ২১ আৰু তাতে তেওঁ যিহূদাৰ পৰা
অহা ঈশ্বৰৰ লোকজনৰ আগত ঘোষণা কৰি ক’লে, “যিহোৱাই এই
কথা কৈছে, ‘কিয়নো তুমি যিহোৱাৰ বাক্যৰ বিৰুদ্ধে আচৰণ কৰিলা
আৰু তোমাৰ ঈশ্বৰ যিহোৱাই তোমাক দিয়া আজ্ঞা পালন নকৰিলা, ২২
আৰু তোমাক অন্ন ভোজন আৰু জল পান নকৰিবা বুলি তেওঁ যি ঠাইৰ
বিষয়ে তোমাক কৈছিল, তুমি ঘূৰি আহি সেই ঠাইতে অন্ন ভোজন আৰু
জল পান কৰিলা, এই কাৰণে তোমাৰ মৃতদেহটোক তোমাৰ পৈতৃক

মৈদামত মৈদাম দিয়া নহ'ব।" ২৩ পাছত তেওঁ ভোজন পান কৰি
উঠিল৷ তেতিয়া সেই বৃদ্ধ ভাববাদীজনে ঘূৰাই অনা ঈশ্বৰৰ লোকজনৰ
কাৰণে গাধত জীন লগালে৷ ২৪ যেতিয়া ঈশ্বৰৰ সেই লোক জনে প্ৰস্থান
কৰিলে, তেতিয়া বাটৰ মাজত এটা সিংহই তেওঁক পাই বধ কৰিলে৷
তাতে তেওঁৰ মৃতদেহটো বাটত পৰি থাকিল৷ তাৰ কাষত গাধটো থিয়
হৈ থাকিল আৰু মৃতদেহটোৰ কাষত সিংহটোও থিয় হৈ থাকিল। ২৫
পাছত লোকসকলে সেই বাটে অহা যোৱা কৰোঁতে, বাটত পৰি থকা
সেই মৃতদেহটো আৰু তাৰ কাষত থিয় হৈ থকা সিংহটো দেখিলে আৰু
সেই বৃদ্ধ ভাববাদীজনে বাস কৰা নগৰলৈ আহি তেওঁলোকে সেই
বাতৰি দিলে। ২৬ যেতিয়া বৃদ্ধ ভাববাদী জনে তেওঁ বাটৰ পৰা ঘূৰাই
অনা ভাববাদীজনৰ সেই বাতৰি শুনিলে, তেওঁ ক'লে, "তেওঁ ঈশ্বৰৰ
সেই লোক, যিজনে যিহোৱাৰ বাক্যৰ বিৰুদ্ধে আচৰণ কৰিছিল৷ এই
কাৰণে যিহোৱাই তেওঁক কোৱা বাক্য অনুসাৰে তেওঁক সিংহৰ হাতত
শোধাই দিলে; তাতে সিংহই তেওঁক আক্ৰমণ কৰি বধ কৰিলে।" ২৭
তেতিয়া তেওঁ নিজৰ পুত্ৰসকলক ক'লে, "মোৰ কাৰণে গাধত জীন
লগোৱা।" তেতিয়া তেওঁলোকে সেইদৰে কৰিলে৷ ২৮ পাছত তেওঁ গৈ
বাটত পৰি থকা সেই মৃতদেহটোৰ কাষত থিয় হৈ থকা সেই গাধ
আৰু সিংহটোকো দেখিলে৷ সিংহটোৱে মৃতদেহটো খোৱা নাছিল আৰু
গাধটোকো আক্ৰমণ কৰা নাছিল৷ ২৯ তেতিয়া সেই ভাববাদীজনে
ঈশ্বৰৰ লোকজনৰ মৃতদেহটো তুলি লৈ গাধৰ ওপৰত উঠাই ঘূৰি
আহিল৷ আৰু তেওঁৰ কাৰণে বিলাপ কৰিবলৈ আৰু তেওঁক মৈদাম
দিবলৈ নিজ নগৰলৈ আহিল। ৩০ তেওঁ নিজ লোকসকলৰ মৈদামত
তেওঁৰ মৈদাম দিলে; তেতিয়া তেওঁলোকে "হায় হায় মোৰ ভাই!", এই
বুলি কৈ তেওঁৰ কাৰণে বিলাপ কৰিলে। ৩১ তেওঁক মৈদাম দিয়াৰ
পাছত, বৃদ্ধ ভাববাদী জনে নিজ পুত্ৰসকলক ক'লে, "মোৰ যেতিয়া
মৃত্যু হ'ব, তেতিয়া এই যি মৈদামত ঈশ্বৰৰ এই লোকজনক মৈদাম
দিয়া হ'ল, ইয়াৰ ভিতৰতে মোকো মৈদাম দিবা৷ এওঁৰ অস্থিৰ কাষত
মোৰ অস্থি ৰাখিবা। ৩২ কিয়নো বৈৎএলত থকা যজ্ঞবেদীৰ বিৰুদ্ধে
আৰু চমৰিয়াৰ নগৰবোৰত থকা পবিত্ৰ ঠাইবোৰত আটাই ঘৰৰ বিৰুদ্ধে

যিহোৱাৰ বাক্যৰ দ্বাৰাই এওঁ যি ঘোষণা কৰিছিল, সেয়ে অৱশ্যে
সিদ্ধ হ'ব।" ৩৩ এই ঘটনাৰ পাছত যাৰবিয়ামে নিজৰ কুপথৰ পৰা
নুঘূৰিল, কিন্তু পুনৰায় প্ৰজাসকলৰ মাজৰ পৰা লোকসকলক পবিত্ৰ
ঠাইবোৰৰ পুৰোহিত নিযুক্ত কৰিলে৷ সেই পবিত্ৰ ঠাইবোৰত পুৰোহিত
হৈ সেৱা কৰিবৰ বাবে যিসকল লোকে ইচ্ছা কৰিছিল, তেওঁ তেনে
লোকসকলকে পুৰোহিত পাতিছিল। ৩৪ এনে কাৰ্যবোৰে যাৰবিয়ামৰ
পৰিয়াললৈ পাপ আনিলে, আৰু এই অপৰাধে বিচ্ছিন্ন কৰি, পৃথিৱীৰ
পৰা তেওঁৰ নাম লুপ্ত কৰিলে।

**১৪** সেই সময়ত যাৰবিয়ামৰ পুত্ৰ অবিয়া বেমাৰত পৰিছিল। ২
তেতিয়া যাৰবিয়ামে নিজৰ পত্নীক ক'লে, "হেৰা উঠা, তোমাক যেন
আন লোকে মোৰ পত্নী বুলি চিনি নাপাই, তাৰ বাবে তুমি ছদ্মবেশ
ধৰা, আৰু চীলোলৈ যোৱা; কিয়নো যি অহীয়া ভাববাদীয়ে, এই
জাতিৰ ওপৰত মই ৰজা হোৱাৰ কথা কৈছিল, তেওঁ সেই ঠাইত
আছে। ৩ তুমি তোমাৰ হাতত দহোটা পিঠা, কিছু মুৰমুৰিয়া পিঠা
আৰু এটেকেলি মৌ লৈ অহীয়াৰ ওচৰলৈ যোৱা; ল'ৰাটিৰ কি ঘটিব,
তেওঁ সেই বিষয়ে তোমাক ক'ব।" ৪ তেতিয়া যাৰবিয়ামৰ পত্নীয়ে
সেইদৰে কৰিলে আৰু তেওঁ উঠি চীলোত থকা অহীয়াৰ ঘৰলৈ গ'ল।
সেই সময়ত অহীয়াই চকুৰে নেদেখা হৈছিল, কাৰণ তেওঁৰ অতি বয়স
হোৱাত তেওঁৰ চকু দৃষ্টিহীন হৈছিল। ৫ তেতিয়া যিহোৱাই অহীয়াক
ক'লে, "চোৱা, যাৰবিয়ামৰ পত্নীয়ে নিজৰ ল'ৰাটিৰ বিষয়ে সুধিবলৈ
তোমাৰ ওচৰলৈ আহিব, কিয়নো ল'ৰাটি বেমাৰত পৰিছে; তুমি তাইক
অমোক তমোকৰ কথা কবা; কাৰণ তাই যেতিয়া আহিব, তেতিয়া আন
মহিলাৰ বেশ ধৰিব।" ৬ পাছত তাই দুৱাৰেদি সোমাই অহা লগে
লগে, অহীয়াই তাইৰ ভৰিৰ শব্দ শুনা পালে। তেতিয়া তেওঁ ক'লে,
"হে যাৰবিয়ামৰ পত্নী, ভিতৰলৈ আহাঁ৷ তুমি কিয় আন মহিলাৰ বেশ
ধৰিছা? তোমাক অশুভ কথা ক'বলৈ মই আজ্ঞা পালোঁ। ৭ তুমি গৈ
যাৰবিয়ামক কোৱাগৈ, ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাই এই কথা কৈছে,
'মই প্ৰজাসকলৰ মাজৰ পৰা তোমাক ওখ পদত নিযুক্ত কৰিলোঁ আৰু
মোৰ প্ৰজা ইস্ৰায়েলৰ ওপৰত তোমাক অধিপতি পাতিলোঁ৷ ৮ মই

দায়ূদৰ বংশৰ পৰা ৰাজ্য কাঢ়ি লৈ তোমাক দিলোঁ; তথাপি মোৰ দাস দায়ূদে মোৰ আজ্ঞা পালন কৰিছিল, আৰু মোৰ দৃষ্টিত যি ন্যায়, অকল তাকেই কৰিবলৈ নিজৰ সকলো মনৰ সৈতে মোৰ পাছত চলিছিল, তুমি তেওঁৰ দৰে হবলৈ নোৱাৰিলা৷
৯ কিন্তু তোমাৰ পূৰ্বৰ সকলো লোকতকৈয়ো তুমি অধিক কুকৰ্ম কৰিলা। বিশেষকৈ মোক খঙত উত্তেজিত হ'বলৈ, তুমি গৈ ইতৰ দেৱতাবোৰ আৰু সাঁচত ঢলা প্ৰতিমাবোৰ নিৰ্মাণ কৰিলা আৰু মোক হ'লে পিঠিৰ পাছলৈ পেলাই দিলা।
১০ এই হেতুকে চোৱা, মই তোমাৰ বংশলৈ অমঙ্গল ঘটাম আৰু তোমাৰ সম্বন্ধীয়া প্ৰত্যেকজন পুৰুষক ইস্ৰায়েলৰ মাজৰ বন্দী আৰু মুক্ত অৱস্থাত থকা লোকসকলক সম্পূৰ্ণৰূপে উচ্ছন্ন কৰিম, যিদৰে মানুহে গোবৰৰ সাৰ শেষ নোহোৱালৈকে জ্বলাই থাকে৷
১১ তোমাৰ পৰিয়ালৰ যি লোকৰ এই নগৰত মৃত্যু হ'ব, তাক কুকুৰবোৰে খাব; আৰু যি জন লোক নগৰৰ বাহিৰত মৰিব, তাক আকাশৰ চৰাইবোৰে খাব, কিয়নো মই যিহোৱাই এই কথা কৈছো।
১২ এই হেতুকে, হে যাৰবিয়ামৰ পত্নী, তুমি উঠি ঘৰলৈ যোৱা। তুমি গৈ যেতিয়াই নগৰত ভৰি দিবা, তেতিয়াই অবিয়াৰ মৃত্যু হ'ব।
১৩ তেতিয়া তাৰ কাৰণে সমুদায় ইস্ৰায়েলে বিলাপ কৰি তাক মৈদাম দিব৷ কিয়নো যাৰবিয়ামৰ সমন্ধীয়া কেৱল এওঁহে মৈদাম পাব, কিয়নো যাৰবিয়ামৰ বংশৰ মাজৰ পৰা এওঁতহে কিছু সদ্‌স্বভাৱ ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাৰ পক্ষত পোৱা গ'ল।
১৪ তদুপৰি যিদিনা যিহোৱাই নিজে ইস্ৰায়েলৰ ওপৰত এজন ৰজা উৎপন্ন কৰিব; সেই দিনাই তেওঁ যাৰবিয়ামৰ বংশক উচ্ছন্ন কৰিব; আৰু আজিয়েই সেই দিন আৰু এতিয়াই উচ্ছন্ন কৰা সময়।
১৫ কিয়নো যিহোৱাই ইস্ৰায়েলক পানীৰ সোঁতত লৰি থকা নলৰ দৰে আঘাত কৰিব আৰু তেওঁ ইস্ৰায়েলক, তেওঁলোকৰ পূৰ্বপুৰুষসকলক দিয়া উত্তম দেশৰ পৰা উঘালি, নদীৰ সিপাৰে সিঁচৰিত কৰিব কাৰণ তেওঁলোকে নিজ নিজ আচেৰা মুৰ্ত্তি নিৰ্মাণ কৰি যিহোৱাৰ খং উঠাবলৈ উত্তেজিত কৰিলে৷
১৬ যাৰবিয়ামে যি যি পাপ কৰিলে আৰু তেওঁৰ দ্বাৰাই ইস্ৰায়েলৰ সন্তান সকলে যি পাপ কৰিলে, সেইবোৰ পাপৰ কৰণে তেওঁ ইস্ৰায়েলক ত্যাগ কৰিব।”
১৭ পাছত যাৰবিয়ামৰ পত্নী

উঠি গৈ তির্চালৈ আহিল৷ তাই দুৱাৰ-ডলিত ভৰি দিয়া মাত্ৰকে ল'ৰাটি
মৰিল। ১৮ তেতিয়া যিহোৱাই নিজৰ দাস অহীয়া ভাববাদীৰ মুখেৰে
কোৱাৰ দৰে সমুদায় ইস্ৰায়েলে তাক মৈদাম দিলে আৰু তাৰ কাৰণে
বিলাপ কৰিলে। ১৯ যাৰবিয়ামৰ অৱশিষ্ট বৃত্তান্ত, অৰ্থাৎ তেওঁ কেনেকৈ
যুদ্ধ কৰিছিল আৰু কি প্ৰকাৰে ৰাজ্য শাসন কৰিছিল, চোৱা, তেওঁৰ
বিৱৰণ ইস্ৰায়েলৰ ৰজাসকলৰ ইতিহাস-পুস্তক খনত লিখা আছে। ২০
যাৰবিয়ামে বাইশ বছৰ ৰাজত্ব কৰি, তেওঁৰ পূৰ্বপুৰুষসকলৰ লগত
নিদ্ৰিত হ'ল৷ তাৰ পাছত তেওঁৰ পুত্ৰ নাদব তেওঁৰ পদত ৰজা হ'ল।
২১ সেই সময়ত চলোমনৰ পুত্ৰ ৰহবিয়াম যিহূদা দেশৰ ওপৰত ৰাজত্ব
কৰিছিল৷ ৰহবিয়ামে একচল্লিশ বছৰ বয়সত ৰজা হৈছিল আৰু তেওঁ
যিহোৱাই নিজ নাম স্থাপন কৰিবৰ অৰ্থে ইস্ৰায়েলৰ সকলো ফৈদৰ
মাজৰ পৰা মনোনীত কৰা নগৰ যিৰূচালেমত সোঁতৰ বছৰ ৰাজত্ব
কৰিলে; তেওঁৰ মাতৃৰ নাম অম্মোনীয়া নয়মা। ২২ যিহূদাই যিহোৱাৰ
সাক্ষাতে কু-আচৰণ কৰিলে৷ তেওঁলোকে তেওঁলোকৰ পূৰ্বপুৰুষসকলে
কৰা কাৰ্যতকৈয়ো তেওঁলোকৰ দ্বাৰাই তেওঁৰ অন্তৰ্জ্বালা অধিককৈ
জন্মালে। ২৩ কিয়নো তেওঁলোকে প্ৰত্যেক ওখ পৰ্বতত আৰু প্ৰত্যেক
কেঁচাপতীয়া গছৰ তলত নিজৰ কাৰণে পবিত্ৰ ঠাইবোৰ, স্তম্ভ, আৰু
আচেৰা মূৰ্ত্তিবোৰ যুগুত কৰিলে৷ ২৪ সেই দেশত ৰতিক্ৰিয়া কৰা
পুৰুষসকলো আছিল। যিহোৱাই ইস্ৰায়েলৰ সন্তান সকলৰ সন্মুখৰ
পৰা যি জাতি দূৰ কৰিছিল, সেই জাতিৰ ঘিণলগীয়া কাৰ্যবোৰৰ দৰে
তেওঁলোকে কাৰ্য কৰিব ধৰিলে। ২৫ পাছত ৰহবিয়ামৰ ৰাজত্বৰ পঞ্চম
বছৰত মিচৰৰ ৰজা চীচকে যিৰূচালেমৰ বিৰুদ্ধে উঠি আহিল৷ ২৬ তেওঁ
যিহোৱাৰ গৃহত আৰু ৰাজগৃহত সাঁচি থোৱা বস্তুবোৰ লৈ গ'ল; তেওঁ
সকলো বস্তুৰে লৈ গ'ল আৰু চলোমনে সজা সোণৰ ঢালবোৰো তেওঁ
লৈ গ'ল। ২৭ তেতিয়া ৰজা ৰহবিয়ামে সেইবোৰৰ সলনি পিতলৰ
ঢাল কৰাই ৰাজগৃহৰ দুৱাৰ-ৰখীয়া প্ৰহৰীবোৰৰ অধ্যক্ষসকলৰ হাতত
শোধাই দিলে। ২৮ তাতে যেতিয়াই ৰজাই যিহোৱাৰ গৃহত সোমাই
প্ৰহৰীবোৰে সেই ঢালবোৰ কঢ়িয়াই লৈ যায়; পাছত আকৌ পুনৰায়
প্ৰহৰীৰ কোঁঠালিলৈ ঘূৰাই লৈ আহে। ২৯ ৰহবিয়ামৰ অবশিষ্ট বৃত্তান্ত,

তেওঁ কৰা সকলো কাৰ্যৰ কথা জানো যিহূদাৰ ৰজাসকলৰ ইতিহাস-
পুস্তকখনত লিখা নাই? ৩০ ৰহবিয়াম আৰু যাৰবিয়াম ৰজাৰ মাজত
সদায় যুদ্ধ লাগি আছিল। ৩১ পাছত ৰহবিয়াম তেওঁৰ পূৰ্বপুৰুষসকলৰ
লগত নিদ্ৰিত হ'ল আৰু নিজ পূৰ্বপুৰুষসকলৰ লগত দায়ূদৰ নগৰত
তেওঁক মৈদাম দিয়া হ'ল; তেওঁৰ মাকৰ নাম অম্মোনীয়া নয়মা; পাছত
তেওঁৰ পুত্ৰ অবিয়াম তেওঁৰ পদত ৰজা হ'ল।

**১৫** নবাটৰ পুত্ৰ যাৰবিয়ামৰ ৰাজত্বৰ অষ্টাদশ বছৰত অবিয়ামে
যিহূদাৰ ওপৰত ৰাজত্ব কৰিবলৈ আৰম্ভ কৰিলে৷ ২ তেওঁ তিনি বছৰ
যিৰূচালেমত ৰাজত্ব কৰিলে; অবীচালোমৰ জীয়েক মাখা তেওঁৰ মাতৃ
আছিল। ৩ তেওঁৰ পিতৃয়ে পূৰ্বতে কৰাৰ দৰে তেৰোঁ পাপ-আচৰণ
কৰিলে। তেওঁৰ ওপৰ পিতৃ দায়ূদৰ মন যেনে সিদ্ধ আছিল, তেওঁৰ মন
নিজ ঈশ্বৰ যিহোৱাৰ আগত তেনে সিদ্ধ নাছিল। ৪ তথাপি তেওঁৰ
পাছত তেওঁৰ সন্তানক গঢ় দিবলৈ আৰু যিৰূচালেমক সবল কৰিবলৈ,
তেওঁৰ ঈশ্বৰ যিহোৱাই দায়ূদৰ কাৰণে তেওঁক যিৰূচালেমত এক
প্ৰদীপ দিলে। ৫ কিয়নো, যিহোৱাৰ দৃষ্টিত যি ন্যায়, দায়ূদে তাকেই
কৰিছিল; হিত্তীয়া ঊৰিয়াৰ কথাৰ বাহিৰে, তেওঁৰ নিজ আয়ুসৰ গোটেই
কালত, যিহোৱাই তেওঁক দিয়া কোনো আজ্ঞাৰ পৰা তেওঁ বিমুখ হোৱা
নাছিল। ৬ সেই সময়ত ৰহবিয়াম আৰু যাৰবিয়ামৰ মাজত যি যুদ্ধ
চলি আছিল, সেয়ে অবিয়ামৰ আয়ুসৰ সকলো কালত চলি আছিল।
৭ অবিয়ামৰ অৱশিষ্ট বৃত্তান্ত, তেওঁৰ সকলো কাৰ্যৰ কথা, যিহূদাৰ
ৰজাসকলৰ ইতিহাস-পুস্তকখনত জানো লিখা নাই? সেই সময়ত
অবিয়াম আৰু যাৰবিয়ামৰ মাজত যুদ্ধ চলি আছিল। ৮ পাছত অবিয়াম
তেওঁ পূৰ্ব-পুৰুষসকলৰ লগত নিদ্ৰিত হ'ল আৰু লোকসকলে তেওঁক
দায়ূদৰ নগৰত মৈদাম দিলে৷ তাৰ পাছত তেওঁৰ পুত্ৰ আচা তেওঁৰ
পদত ৰজা হ'ল। ৯ ৰজা যাৰবিয়ামে ইস্ৰায়েলৰ ওপৰত বিশ বছৰ
ৰাজত্ব কৰাৰ পাছত আচাই যিহূদাৰ ওপৰত ৰাজত্ব কৰিবলৈ ল'লে৷ ১০
তেওঁ একচল্লিশ বছৰ যিৰূচালেমত ৰাজত্ব কৰিছিল; তেওঁৰ আইতাকৰ
নাম আছিল মাখা; মাখা আছিল অবীচালোমৰ জীয়েক। ১১ আচাই
তেওঁৰ ওপৰ পিতৃ দায়ূদৰ দৰে, যিহোৱাৰ দৃষ্টিত যি ন্যায়, তাকেই

কৰিছিল। ১২ তেওঁ দেশৰ পৰা ৰতিক্ৰিয়াত আসক্ত পুৰুষসকলক
খেদি পঠালে, আৰু তেওঁৰ পূৰ্ব-পুৰুষসকলে স্থাপন কৰা সকলো মূৰ্তি
আতৰালে। ১৩ আৰু তেওঁৰ আইতাক মাখাই আচেৰা মূৰ্ত্তিৰ এটা
ঘিণলগীয়া মূৰ্ত্তি স্থাপন কৰাৰ বাবে, আচাই তেওঁক ৰাজ-মা পদৰ পৰা
আতৰাই পঠিয়ালে। আচাই সেই ঘিণলগীয়া মূৰ্ত্তিটো কাটিলে, আৰু
তাক কিদ্ৰোণ উপত্যকাত পুৰি পেলালে। ১৪ কিন্তু পবিত্ৰ ঠাইবোৰ
আতৰাই পেলোৱা নহ'ল; তথাপি আচাই তেওঁৰ আয়ুসৰ সকলো
কালত নিজ মন সম্পূৰ্ণৰূপে যিহোৱাক সমৰ্পণ কৰিছিল। সম্পূৰ্ণৰূপে
সমৰ্পিত আছিল৷ ১৫ তেওঁৰ নিজ পিতৃয়ে পবিত্ৰ কৰা বস্তু আৰু তেওঁ
নিজে পবিত্ৰ কৰা বস্তুবোৰ যেনে ৰূপ, সোণ আদিৰ পাত্ৰবোৰ যিহোৱাৰ
গৃহলৈ আনিলে। ১৬ আচা আৰু ইস্ৰায়েলৰ ৰজা বাচাৰ মাজত তেওঁৰ
আয়ুসৰ গোটেই কালত যুদ্ধ চলি আছিল। ১৭ ইস্ৰায়েলৰ ৰজা বাচাই
যিহূদাৰ বিৰুদ্ধে হিংসাত্মকভাবে আক্ৰমণ কৰিছিল, আৰু ৰামাক সাজি
দৃঢ় কৰিবলৈ ধৰিলে যাতে কোনো লোক যেন যিহূদাৰ ৰজা আচাৰ
দেশলৈ আহিব বা এৰি যাব নোৱাৰে৷ ১৮ পাছত আচাই যিহোৱাৰ
গৃহ ভঁৰালৰ অৱশিষ্ট ৰূপ, সোণ আৰু ৰাজগৃহৰ ভঁৰালৰ ধনবোৰ
ল'লে৷ তেওঁ সেইবোৰ লৈ তেওঁৰ দাসবোৰৰ হাতত দি তেওঁলোকক
হিজিয়োনৰ নাতিয়েক টবৰিম্মোনৰ পুত্ৰ বিন-হদদ নামেৰে দম্মেচকত
থকা অৰামীয়া ৰজাৰ ওচৰলৈ পঠিয়াই দিলে, আৰু তেওঁলোকক
এই কথা কৈ পঠিয়ালে যে, ১৯ “মোৰ পিতৃ আৰু আপোনাৰ পিতৃৰ
মাজত যেনে নিয়ম বন্ধা আছিল, তেনে নিয়ম মোৰ আৰু আপোনাৰ
মাজতো বন্ধা হওঁক৷ চাওঁক, মই আপোনালৈ ৰূপ আৰু সোণৰ উপহাৰ
পঠিয়াইছোঁ৷ আপুনি ইস্ৰায়েলৰ বাচা ৰজাৰ লগত বন্ধা নিয়মটি ভাঙক
কাৰণ তেতিয়াহে তেওঁ মোৰ ওচৰৰ পৰা গুচি যাব৷” ২০ তেতিয়া বিন-
হদদে ৰজা আচাৰ কথা শুনি, ইস্ৰায়েলৰ নগৰবোৰৰ বিৰুদ্ধে তেওঁৰ
সৈন্য বাহিনীৰ সেনাপতিসকলক আক্ৰমণ কৰিবলৈ পঠিয়ালে৷ তেতিয়া
তেওঁলোকে গৈ ইয়োন, দান, আবেল-বৈৎমাখা, গোটেই কিন্নেৰৎ আৰু
নপ্তালীৰ সকলো দেশকে আক্ৰমণ কৰিলে। ২১ যেতিয়া বাচাই এই
সম্বাদ শুনিলে তেতিয়া তেওঁ ৰামাক সাজি দৃঢ় কৰাৰ কাৰ্য বন্ধ কৰিলে

আৰু তিৰ্চালৈ ঘূৰি গ'ল। ২২ তেতিয়া ৰজা আচাই সমুদায় যিহূদাক এটি
ঘোষণা দিবলৈ মাতিলে; তাতে কোনো এজন লোকৰ অনুপস্থিতিত
তেওঁলোকক ৰেহাই দিয়া নাছিল৷ বাচাই যি শিল আৰু কাঠবোৰেৰে
ৰামা দৃঢ় কৰিবলৈ ধৰিছিল, ৰামাৰ সেই শিল আৰু কাঠবোৰ সেই
লোকসকলে কঢ়িয়াই লৈ গ'ল৷ তাৰ পাছত ৰজা আচাই সেই শিল
আৰু কাঠবোৰ ব্যৱহাৰ কৰি বিন্যামীনৰ গেবা আৰু মিস্পা সাজি দৃঢ়
কৰিলে। ২৩ আচাৰ অৱশিষ্ট বৃত্তান্ত, তেওঁৰ সকলো পৰাক্ৰম, তেওঁ
কৰা সকলো কাৰ্য আৰু তেওঁ সাজি দৃঢ় কৰা নগৰবোৰৰ কথা জানো
যিহূদাৰ ৰজাসকলৰ ইতিহাস পুস্তকখনত লিখা নাই? কিন্তু তেওঁৰ
বৃদ্ধ অৱস্থাত তেওঁৰ ভৰিত বেমাৰ হ'ল। ২৪ পাছত আচা তেওঁ পূৰ্ব-
পুৰুষসকলৰ লগত নিদ্ৰিত হ'ল আৰু নিজৰ ওপৰ-পিতৃ দায়ূদৰ নগৰত
তেওঁৰ পূৰ্ব-পুৰুষসকলৰ লগত তেওঁক মৈদাম দিয়া হ'ল৷ তেতিয়া
তেওঁৰ পুত্ৰ যিহোচাফট তেওঁৰ পদত ৰজা হ'ল। ২৫ যিহূদাৰ আচা
ৰজাৰ ৰাজত্বৰ দ্বিতীয় বছৰত যাৰবিয়ামৰ পুত্ৰ নাদবে ইস্ৰায়েলৰ
ওপৰত ৰাজত্ব কৰিবলৈ ধৰিলে৷ তেওঁ ইস্ৰায়েলৰ ওপৰত দুবছৰ ৰাজত্ব
কৰিছিল। ২৬ তেওঁ নিজৰ পিতৃৰ পথত পাপ আচৰণ কৰি চলিলে,
আৰু তেওঁৰ দ্বাৰাই ইস্ৰায়েলকো সেই পাপ পথত পৰিচালনা কৰিলে।
২৭ পাছত ইচাখৰৰ বংশৰ অহিয়াৰ পুত্ৰ বাচাই নাদবৰ বিৰুদ্ধে চক্ৰান্ত
কৰিলে৷ পলেষ্টীয়াসকলৰ অধীনত থকা গিব্বথোনত বাচাই তেওঁক বধ
কৰিলে, কিয়নো সেই সময়ত নাদব আৰু গোটেই ইস্ৰায়েলে গিব্বথোন
অৱৰোধ কৰিছিল। ২৮ যিহূদাৰ ৰজা আচাৰ ৰাজত্বৰ তৃতীয় বছৰত
বাচাই নাদবক বধ কৰিলে, আৰু তেওঁৰ পদত নিজে ৰজা হ'ল। ২৯
তেওঁ ৰজা হোৱা মাত্ৰকে যাৰবিয়ামৰ গোটেই বংশকে বধ কৰিলে।
যিহোৱাই নিজ দাস চীলোনীয়া অহীয়াৰ দ্বাৰাই কোৱা বাক্য অনুসাৰে,
তেওঁ যাৰবিয়ামৰ বংশক আনকি নিশ্বাস লবলৈকো কাকো অৱশিষ্ট
নাৰাখিলে৷ এইদৰে বাচাই যাৰবিয়ামৰ বংশক সংহাৰ কৰিলে৷ ৩০
যাৰবিয়ামে যি যি পাপ নিজে কৰিছিল আৰু যিবোৰ পাপৰ দ্বাৰাই
তেওঁ ইস্ৰায়েলক পাপত লিপ্ত কৰালে, সেই কুকাৰ্যবোৰৰ দ্বাৰাই তেওঁ
ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাক ক্ৰুদ্ধ কৰিবলৈ উত্তেজিত কৰাইছিল আৰু

সেই কাৰণে এই সকলো ঘটিল। ৩১ নাদবৰ অৱশিষ্ট বৃত্তান্ত, তেওঁ
কৰা সকলো কাৰ্যৰ কথা ইস্ৰায়েলৰ ৰজাসকলৰ ইতিহাস-পুস্তকখনত
জানো লিখা নাই? ৩২ আচা আৰু ইস্ৰায়েলৰ ৰজা বাচাৰ মাজত
তেওঁলোকৰ আয়ুসৰ গোটেই কালত যুদ্ধ চলি আছিল। ৩৩ যিহূদাৰ
ৰজা আচাৰ ৰাজত্বৰ তৃতীয় বছৰত অহিয়াৰ পুত্ৰ বাচাই তিৰ্চাত গোটেই
ইস্ৰায়েলৰ ওপৰত ৰাজত্ব কৰিবলৈ ধৰিলে; তেওঁ ছাবিশ বছৰলৈ
ৰাজত্ব কৰিছিল। ৩৪ তেওঁ যিহোৱাৰ দৃষ্টিত কু-আচৰণ কৰিলে আৰু
যাৰবিয়ামৰ পথত চলি, যাৰবিয়ামে যি পাপৰ দ্বাৰাই ইস্ৰায়েলক পাপ
লিপ্ত কৰাইছিল, সেই পাপত তেৰোঁ চলিছিল।

**১৬** পাছত হনানীৰ পুত্ৰ যেহূৰ ওচৰলৈ বাচাৰ বিৰুদ্ধে যিহোৱাৰ বাক্য
আহিল, তেওঁ ক'লে, ২ "যদিও মই তোমাক ধূলিৰ পৰা তুলি মোৰ
প্ৰজা ইস্ৰায়েলৰ ওপৰত তোমাক অধিপতি পাতিলোঁ, তথাপিও তুমি
যাৰবিয়ামৰ পথত চলিলা আৰু মোৰ প্ৰজা ইস্ৰায়েলৰ পাপৰ দ্বাৰাই
মোৰ ক্ৰোধ জন্মাবলৈ তেওঁলোকক পাপত লিপ্ত কৰিবলৈ দিলা। ৩
চোৱা, মই বাচা আৰু তেওঁৰ বংশক সম্পূৰ্ণৰূপে ধ্বংস কৰিম, আৰু
নবাটৰ পুত্ৰ যাৰবিয়ামৰ বংশৰ দৰে তোমাৰ বংশলৈ তেনেদৰে কৰিম।
৪ বাচাৰ বংশৰ যি জন লোকৰ নগৰত মৃত্যু হ'ব, তেওঁক কুকুৰবোৰে
খাব আৰু যি জন লোকৰ নগৰৰ বাহিৰত মৃত্যু হ'ব, তেওঁক আকাশৰ
চৰাইবোৰে খাব।" ৫ বাচাৰ অৱশিষ্ট বৃত্তান্তৰ বিষয়ে, তেওঁ কৰা
কাৰ্য আৰু পৰাক্ৰমৰ কথা জানো ইস্ৰায়েলৰ ৰজাসকলৰ ইতিহাস-
পুস্তকখনত লিখা নাই? ৬ পাছত বাচা তেওঁৰ পূৰ্ব-পুৰুষসকলৰ লগত
নিদ্ৰিত হ'ল আৰু তিৰ্চাত তেওঁক মৈদাম দিয়া হ'ল; তেতিয়া তেওঁৰ পুত্ৰ
এলা তেওঁৰ পদত ৰজা হ'ল। ৭ হনানীৰ পুত্ৰ যেহূ ভাববাদীৰ দ্বাৰাই
বাচা আৰু তেওঁৰ বংশৰ অহিতে যিহোৱাৰ বাক্য আহিছিল, কিয়নো
যাৰবিয়ামৰ বংশৰ দৰে বাচায়ো যিহোৱাৰ সাক্ষাতে নিজ হাতৰ
দ্বাৰাই কু-আচৰণ কৰিছিল আৰু সেই কাৰ্যবোৰৰ দ্বাৰাই যিহোৱাক
ক্ৰোধত উত্তেজিত কৰাইছিল আৰু সেইবোৰৰ সৈতে যাৰবিয়ামৰ
বংশকো বধ কৰিছিল৷ ৮ যিহূদাৰ ৰজা আচাৰ ৰাজত্বৰ ছাবিশ বছৰত
বাচাৰ পুত্ৰ এলাই ইস্ৰায়েলৰ ওপৰত তিৰ্চাত ৰাজত্ব কৰিবলৈ ধৰিলে;

তেওঁ দুবছৰলৈ ৰাজত্ব কৰিছিল। ৯ পাছত জিম্ৰীৰ নামেৰে তেওঁৰ
এজন দাসে তেওঁৰ বিৰুদ্ধে চক্ৰান্ত কৰিলে। তেওঁ ৰজা এলাৰ ৰথৰ
সৈন্যৰ আধা লোকৰ অধ্যক্ষ আছিল৷ ১০ যিহূদাৰ ৰজা আচাৰ ৰাজত্বৰ
সাতাইশ বছৰত যেতিয়া এলাই তিৰ্চাত নিজৰ ঘৰগিৰী অৰ্চাৰ ঘৰত
পান কৰি মতলীয়া অৱস্থাত আছিল, তেতিয়া জিম্ৰীয়ে সোমাই গৈ,
তেওঁক প্ৰহাৰ কৰি বধ কৰিলে আৰু তেওঁৰ পদত নিজে ৰজা হ'ল। ১১
তেওঁ ৰজা হৈ সিংহাসনত বহা মাত্ৰকে বাচাৰ সকলো বংশকে তেওঁ বধ
কৰিলে৷ তেওঁ বাচাৰ সম্বন্ধীয়া কোনো এজন পুৰুষ বা তেওঁৰ পৰিয়ালৰ
লোক বা তেওঁৰ বন্ধুসকলৰ কোনো এজনকো অৱশিষ্ট নাৰাখিলে।
১২ এই দৰে যেহূ ভাববাদীৰ দ্বাৰাই বাচাৰ বিৰুদ্ধে কোৱা যিহোৱাৰ
বাক্য অনুসাৰে জিম্ৰীয়ে তেওঁৰ সকলো বংশ বিনষ্ট কৰিলে। ১৩ বাচা
আৰু তেওঁৰ পুত্ৰ এলাই নিজৰ অসাৰ প্ৰতিমাবোৰৰ দ্বাৰাই ইস্ৰায়েলৰ
ঈশ্বৰ যিহোৱাক ক্ৰোধত উত্তেজিত কৰাবলৈ যি যি পাপ কৰিছিল,
সেই সকলো পাপৰ কাৰণে এই সকলো ঘটিল। ১৪ এলাৰ অৱশিষ্ট
বৃত্তান্তৰ বিষয়ে আৰু তেওঁৰ সকলো কাৰ্যৰ কথা জানো ইস্ৰায়েলৰ
ৰজাসকলৰ ইতিহাস-পুস্তকখনত লিখা নাই? ১৫ যিহূদাৰ ৰজা আচাৰ
ৰাজত্বৰ সাতাইশ বছৰত জিম্ৰীয়ে মাত্ৰ সাত দিন তিৰ্চাত ৰাজত্ব
কৰিছিল। সেই সময়ত সৈন্যসকলে পলেষ্টীয়াসকলৰ অধীনত থকা
গিব্বথোনৰ কাষত ছাউনি পাতি আছিল। ১৬ পাছত সেই ছাউনিত
থকা লোকসকলে শুনিবলৈ পালে যে, “জিম্ৰীয়ে চক্ৰান্ত কৰি ৰজাক বধ
কৰিলে।” তেতিয়া সমুদায় ইস্ৰায়েলে সেই দিনা ছাউনিৰ মাজত অম্ৰী
নামেৰে সেনাপতিজনক ইস্ৰায়েলৰ ওপৰত ৰজা পাতিলে। ১৭ পাছত
অম্ৰী আৰু তেওঁৰ লগত সমুদায় ইস্ৰায়েলে গিব্বথোনৰ পৰা যাত্ৰা কৰি
গৈ তিৰ্চা অৱৰোধ কৰিলে। ১৮ যেতিয়া জিম্ৰীয়ে নগৰখন দখল কৰি
লোৱা দেখিলে, তেতিয়া তেওঁ ৰাজ-গৃহত লাগি থকা দুৰ্গত সোমাল,
আৰু তাৰ চাৰিওফালে জুই লগাই দিলে৷ এইদৰে তেওঁ জুইত প্ৰাণত্যাগ
কৰিলে। ১৯ তেওঁ যিহোৱাৰ দৃষ্টিত কু-আচৰণ কৰি যি যি পাপ কৰিছিল
আৰু যাৰবিয়ামৰ দৰে তেওঁ পাপ কৰিছিল, সেই কাৰ্যবোৰৰ দ্বাৰাই
ইস্ৰায়েলকো পাপত লিপ্ত কৰাইছিল; এইবোৰৰ কাৰণে তেওঁৰ এনে

গতি হ’ল। ২০ জিম্ৰীৰ অৱশিষ্ট বৃত্তান্তৰ বিষয়ে আৰু তেওঁ কৰা চক্ৰান্তৰ
কথাৰ বিষয়ে জানো ইস্রায়েলৰ ৰজাসকলৰ ইতিহাস-পুস্তকখনত
লিখা নাই? ২১ সেই সময়ত ইস্রায়েলৰ লোকসকলক দুভাগ কৰা
হ’ল; এভাগ লোকে গীনতৰ পুত্ৰ তিব্নীক ৰজা পাতি, তেওঁৰ পাছত
চলোঁতা হ’ল আৰু আন ভাগে অম্ৰীৰ পাছত চলিবলৈ ধৰিলে।। ২২
কিন্তু অম্ৰীৰ পাছত চলা লোকসকল গীনতৰ পুত্ৰ তিব্নীৰ পাছত চলা
লোকসকলতকৈ শক্তিশালী আছিল৷ তাতে তিব্নীৰ মৃত্যু হোৱাত
অম্ৰী ৰজা হ’ল। ২৩ যিহূদাৰ ৰজা আচাৰ ৰাজত্বৰ একত্ৰিশ বছৰত
অম্ৰীয়ে ইস্রায়েলৰ ওপৰত ৰাজত্ব কৰিবলৈ ধৰিলে আৰু তেওঁ বাৰ
বছৰলৈ ৰাজত্ব কৰিছিল৷ তেওঁ তিৰ্চাত ছবছৰ ৰাজত্ব কৰিছিল। ২৪
পাছত তেওঁ দুই কিক্কৰ ৰূপ দি চেমৰৰ পৰা চমৰিয়া পৰ্বত কিনি
ল’লে৷ আৰু তাৰ ওপৰত এখন নগৰ সাজি, সেই পৰ্বতৰ গৰাকী
চেমৰৰ নাম অনুসাৰেই, তেওঁ নিজে সজা সেই নগৰৰ নাম চমৰিয়া
ৰাখিলে। ২৫ কিন্তু অম্ৰীয়ে যিহোৱাৰ দৃষ্টিত কু-আচৰণ কৰিলে আৰু
তেওঁৰ পূৰ্বে যিসকল আছিল, তেওঁলোকতকৈয়ো তেওঁ অধিক দুৰাচাৰী
হ’ল। ২৬ কিয়নো নবাটৰ পুত্ৰ যাৰবিয়াম যি কুপথত চলিছিল আৰু
যিবোৰ পাপৰ দ্বাৰাই তেওঁ ইস্রায়েলক পাপত লিপ্ত কৰাইছিল আৰু
তেওঁলোকৰ অসাৰ প্ৰতিমাবোৰৰ দ্বাৰাই ইস্রায়েলৰ ঈশ্বৰ যিহোৱাৰ
ক্ৰোধ জন্মাইছিল, অম্ৰীৰেও ঠিক সেইদৰেই চলিল৷ ২৭ অম্ৰীৰ আন
অৱশিষ্ট কাৰ্যৰ বৃত্তান্তৰ বিষয়ে, তেওঁ দেখুউৱা পৰাক্ৰমৰ কথা, সেই
বিষয়ে ইস্রায়েলৰ ৰজাসকলৰ ইতিহাস-পুস্তকখনত জানো লিখা নাই?
২৮ পাছত অম্ৰী তেওঁৰ পূৰ্ব-পুৰুষসকলৰ লগত নিদ্ৰিত হ’ল আৰু তেওঁক
চমৰিয়াত মৈদাম দিয়া হ’ল৷ তেতিয়া তেওঁৰ পুত্ৰ আহাব তেওঁৰ পদত
ৰজা হ’ল। ২৯ যিহূদাৰ ৰজা আচাৰ ৰাজত্বৰ আঠত্ৰিশ বছৰত, অম্ৰীৰ
পুত্ৰ আহাবে ইস্রায়েলৰ ওপৰত ৰাজত্ব কৰিবলৈ ধৰিলে; আৰু অম্ৰীৰ
পুত্ৰ আহাবে বাইশ বছৰলৈ চমৰিয়াত ৰাজত্ব কৰিছিল। ৩০ তেওঁৰ
পূৰ্বে যিসকল লোক আছিল, সেই সকলোতকৈ অম্ৰীৰ পুত্ৰ আহাবে
যিহোৱাৰ দৃষ্টিত কু-আচৰণ কৰিছিল। ৩১ নবাটৰ পুত্ৰ যাৰবিয়ামৰ
দৰে পাপ-আচৰণ কৰিও আহাব ক্ষান্ত হোৱা নাছিল, ইয়াৰ উপৰিও

চীদোনীয়াসকলৰ ৰজা এৎবালৰ জীয়েক ঈজেবলক বিয়া পাতিছিল।
পাছত তেওঁ গৈ বালক পূজা কৰিবলৈ ধৰিলে আৰু তাৰ আগত প্ৰণিপাত
কৰিলে। ৩২ তেওঁ চমৰিয়াত নিৰ্মাণ কৰা বালৰ গৃহত বালৰ কাৰণে
এটা যজ্ঞবেদীও স্থাপন কৰিলে। ৩৩ তাতে আহাবে এটা আচেৰা মূৰ্তি
সাজিলে। এইদৰে ইস্ৰায়েলৰ পূৰ্বৰ সকলো ৰজাতকৈ তেওঁ ঈশ্বৰ
যিহোৱাৰ ক্ৰোধ জন্মাবলৈ অধিক কাৰ্য কৰিলে। ৩৪ তেওঁ ৰাজত্ব
কৰা কালত বাৎএলীয়া হীয়েলে পুনৰায় যিৰীহো নিৰ্মাণ কৰিলে।
তেওঁলোকে যিহোৱাৰ বাক্য মানি চলিছিল আৰু সেই কাৰণে যিহোৱাই
নুনৰ পুত্ৰ যিহোচূৱাৰ মুখেৰে কোৱা বাক্য অনুসাৰে, তেওঁ নিজ বৰ
পুত্ৰ অবীৰামক দণ্ড স্বৰূপে দি যিৰীহোৰ ভিত্তিমূলক স্থাপন কৰিলে আৰু
নিজ সৰু পুত্ৰ চগূবক দণ্ড স্বৰূপে দি যিৰীহোৰ দুৱাৰবোৰ লগালে।

**১৭** পাছত গিলিয়দ-প্ৰবাসীসকলৰ মাজৰ তিচবীয়া এলিয়াই আহাবক
ক'লে, "মই যি জনৰ সাক্ষাতে থিয় হৈ আছোঁ, সেই ইস্ৰায়েলৰ ঈশ্বৰ
যিহোৱাৰ জীৱনৰ শপত, এই কেইবছৰ নিয়ৰ বা বৰষুণ নহ'ব; কেৱল
মোৰ বাক্য অনুসাৰে হ'ব।" ২ পাছত এলিয়াৰ ওচৰলৈ যিহোৱাৰ
বাক্য আহিল বোলে, ৩ "তুমি এই ঠাই ত্যাগ কৰা, পূব দিশে যৰ্দ্দনৰ
সন্মুখত থকা কৰীৎ জুৰিলৈ যোৱা, আৰু তাৰ কাষত নিজে গৈ লুকাই
থাকা। ৪ তাতে তুমি সেই জুৰিৰ পানী পান কৰিবলৈ পাবা আৰু সেই
ঠাইত তোমাৰ খোৱা বস্তু যোগাৰ কৰিবলৈ মই ঢোঁৰা-কাউৰীবোৰক
আজ্ঞা দিলোঁ।" ৫ তেতিয়া তেওঁ গৈ যিহোৱাৰ বাক্য অনুসাৰে সেই
কাৰ্য কৰিলে; তেওঁ গৈ যৰ্দ্দনৰ সন্মুখত থকা কৰীৎ জুৰিৰ কাষত
বাস কৰিলে। ৬ তাতে ঢোঁৰা-কাউৰীবোৰে তেওঁৰ কাৰণে ৰাতিপুৱা
আৰু সন্ধিয়া সময়ত পিঠা আৰু মঙহ আনি দিছিল আৰু তেওঁ সেই
জুৰিৰ পানী পান কৰিছিল। ৭ কিন্তু কিছু সময়ৰ পাছত দেশত বৰষুণ
নোহোৱাৰ কাৰণে সেই জুৰিৰ পানী শুকাই গ'ল। ৮ সেই সময়ত
তেওঁৰ ওচৰলৈ যিহোৱাৰ বাক্য আহিল বোলে, ৯ "তুমি উঠি গৈ
চীদোনৰ অধীনত থকা চাৰিফতত বাস কৰাগৈ; আৰু চোৱা, সেই
ঠাইত তোমাৰ খোৱা বস্তু যোগাবলৈ মই এজনী বিধৱা মহিলাক আজ্ঞা
কৰিলোঁ।" ১০ তেতিয়া তেওঁ উঠি চাৰিফতলৈ যাত্ৰা কৰিলে, আৰু

যেতিয়া তেওঁ সেই নগৰৰ দুৱাৰ-মুখ পালে, তেতিয়া সেই ঠাইত
তেওঁ এজনী বিধৱা মহিলাক খৰি বুটলি থকা দেখিলে৷ তেতিয়া তেওঁ
তাইক মাতি ক'লে, "বিনয় কৰোঁ, পান কৰিবৰ বাবে মোলৈ এটা
পাত্ৰত পানী অলপ আনা।" ১১ তেতিয়া সেই মহিলাগৰাকীয়ে তেওঁলৈ
পানী আনিবলৈ যাওঁতে, তেওঁ তাইক আকৌ মাতি ক'লে, "বিনয়
কৰোঁ, তুমি মোৰ কাৰণে এডোখৰ পিঠাও হাতত লৈ আহিবা।" ১২
তেতিয়া তাই ক'লে, "তোমাৰ ঈশ্বৰ যিহোৱাৰ জীৱনৰ শপত, মোৰ
ঘৰত এটি পিঠাও নাই; কেৱল বয়ামত এমুঠিমান আটাগুড়ি আৰু
টেকেলিত এটোপমান তেল আছে৷ চোৱা, মোৰ আৰু মোৰ ল'ৰাটিৰ
কাৰণে তাৰে ৰান্ধিবলৈ মই দুডালমান খৰি যোগাৰ কৰি আছোঁ; আৰু
এইখিনি খোৱাৰ পাছতে আমাৰ মৃত্যু হ'ব। ১৩ তেতিয়া এলিয়াই
তাইক ক'লে, "ভয় নকৰিবা। তুমি যি ক'লা, তাকেই কৰাগৈ, কিন্তু
প্ৰথমে তাৰে মোৰ কাৰণে এটি সৰু পিঠা তৈয়াৰ কৰা, তাৰ পাছত
তোমাৰ আৰু তোমাৰ ল'ৰাটিৰ কাৰণে তৈয়াৰ কৰিবা। ১৪ কিয়নো
ইস্রায়েলৰ ঈশ্বৰ যিহোৱাই এই কথা কৈছে যে, "যিহোৱাই পৃথিৱীত
বৰষুণ নেপেলোৱালৈকে সেই বয়ামৰ আটাগুড়ি উদং নহ'ব আৰু
সেই টেকেলিৰ তেলো শেষ নহ'ব।" ১৫ তেতিয়া তাই গৈ এলিয়াৰ
বাক্যৰ দৰেই কৰিলে আৰু তেতিয়াৰে পৰা এলিয়া, তাই আৰু তাইৰ
ল'ৰাটিয়ে বহুদিনলৈকে খাবলৈ পালে। ১৬ যিহোৱাৰ বাক্য অনুসাৰে
এলিয়াৰ দ্বাৰাই কোৱা সেই কথাৰ দৰে সেই বয়ামৰ আটাগুড়ি উদং
নহ'ল আৰু সেই টেকেলিৰ তেলৰো ওৰ নপৰিল। ১৭ এই ঘটনা ঘটি
যোৱাৰ পাছত, সেই ঘৰৰ গৃহিনীজনীৰ ল'ৰাজন বেমাৰত পৰিল।
পাছত ল'ৰাজনৰ বেমাৰ ইমান টান হ'ল যে, তাৰ শৰীৰৰ নিশ্বাস বন্ধ
হৈ গ'ল। ১৮ তেতিয়া ল'ৰাটিৰ মাতৃয়ে এলিয়াক ক'লে, "হে ঈশ্বৰৰ
লোক, আপোনাৰ লগত মোৰ কি সমন্ধ? আপুনি জনো মোৰ অপৰাধ
সোঁৱৰাবলৈ আৰু মোৰ পুত্ৰক মাৰি পেলাবলৈ আহিছে!" ১৯ তেতিয়া
এলিয়াই তাইক ক'লে, "তোমাৰ ল'ৰাটিক মোক দিয়া।" পাছত তাইৰ
কোলাৰ পৰা তেওঁ ল'ৰাজনক ল'লে, আৰু নিজে থকা ওপৰ কোঠালিলৈ
তাক লৈ গ'ল; তাতে তেওঁ নিজৰ শয্যাত সেই ল'ৰাজনক শুৱাই হ'ল।

২০ তেওঁ যিহোৱাৰ আগত প্ৰাৰ্থনা কৰি ক'লে, "হে মোৰ ঈশ্বৰ যিহোৱা,
মই যি বিধৱাৰ ঘৰত প্ৰৱাস কৰি আছোঁ, আপুনি জনো তাইৰ ল'ৰাটিক
মাৰি পেলাই তাইলৈয়ো অমঙ্গল ঘটাইছে নে?" ২১ তেতিয়া তেওঁ
ল'ৰাটিৰ ওপৰত তিনিবাৰ দীঘল হৈ পৰি যিহোৱাৰ আগত প্ৰাৰ্থনা
কৰি ক'লে, "হে মোৰ ঈশ্বৰ যিহোৱা, মই বিনয় কৰোঁ, এই ল'ৰাটিৰ
ভিতৰলৈ পুনৰায় প্ৰাণ ঘূৰাই আনক।" ২২ তেতিয়া যিহোৱাই এলিয়াৰ
সেই কথা শুনিলে; ল'ৰাটিৰ প্ৰাণ তাৰ ভিতৰলৈ পুনৰায় ঘূৰি আহিল
আৰু সি সুস্থ হ'ল৷ ২৩ তাৰ পাছত এলিয়াই ল'ৰাটি লৈ ওপৰ কোঁঠালিৰ
পৰা নামি আহি ঘৰৰ ভিতৰত সোমাই তাৰ মাতৃৰ হাতত শোধাই দি
ক'লে, "চোৱা, তোমাৰ এই ল'ৰাটি জীৱিত আছে।" ২৪ তেতিয়া সেই
মহিলাগৰাকীয়ে এলিয়াক ক'লে, "এতিয়া মই জানিলোঁ যে, আপুনি
ঈশ্বৰৰ লোক আৰু আপোনাৰ মুখত থকা যিহোৱাৰ বাক্যও সত্য।"

**১৮** বহুদিনৰ পাছত যিহোৱাৰ বাক্য এলিয়ালৈ আহিল; সেয়া আছিল
বৰষুন নোহোৱা হৈ থকা তৃতীয় বছৰ। যিহোৱাই ক'লে, "তুমি গৈ
আহাবক দৰ্শন দিয়া আৰু তেতিয়া মই দেশলৈ বৰষুণ পঠিয়াম।" ২
তেতিয়া এলিয়াই আহাবক দৰ্শন দিবলৈ গ'ল। সেই কালত চমৰিয়াত
অতি বেছি আকাল হৈছিল। ৩ পাছত আহাবে ৰাজ-গৃহৰ ঘৰগিৰী
ওবদিয়াক মাতি আনিলে; সেই ওবদিয়া যিহোৱাৰ প্ৰতি অতিশয়
ভয়কাৰী লোক আছিল৷ ৪ কিয়নো যি সময়ত ঈজেবলে যিহোৱাৰ
ভাববাদীসকলক বধ কৰি আছিল, সেই সময়ত ওবদিয়াই এশ
ভাববাদীক লৈ পঞ্চাশজন পঞ্চাশজনকৈ গুহাত লুকুৱাই ৰাখি, অন্ন-জল
দি তেওঁলোকক প্ৰতিপালন কৰিছিল। ৫ আহাবে ওবদিয়াক ক'লে,
"দেশত যিমান জলৰ ভুমুক আৰু জুৰি আছে, তুমি সেই ঠাইবোৰলৈ
যোৱা, কিজানি আমি সেই ঠাইবোৰত কিছু ঘাঁহ পাম; তাতে ঘোঁৰা আৰু
খছৰবোৰৰ প্ৰাণ ৰক্ষা কৰাব পাৰিম, সেয়ে হ'লে আমি আটাইবোৰ পশু
নেহেৰুৱাম।" ৬ তেতিয়া তেওঁলোকে দেশৰ মাজেদি ভ্ৰমণ কৰিবলৈ,
তেওঁলোক দুয়োৰে মাজত দেশ ভাগ কৰিলে; তেতিয়া আহাব নিজেই
এক বাটেদি আৰু ওবদিয়াও আনটো বাটেদি গ'ল। ৭ তেতিয়া
ওবদিয়াই বাটত গৈ থাকোতে, হঠাৎ এলিয়াক লগ পালে। ওবদিয়াই

তেতিয়া তেওঁক চিনি পালে, আৰু মাটিত মূখ লগাই তেওঁক ক'লে,
“আপুনি মোৰ প্ৰভু এলিয়া হয়নে?” ৮ তেতিয়া তেওঁ ক'লে, “হয়, মই
হওঁ। তুমি যোৱা, আৰু গৈ তোমাৰ প্ৰভুক কোৱা যে, ‘এলিয়া ইয়াত
আছে’।” ৯ তেতিয়া ওবদিয়াই ক'লে, “মই এনে কি পাপ কৰিলোঁ,
আপুনি যে বধ কৰিবৰ বাবে আপোনাৰ দাসক আহাবৰ হাতত শোধাই
দিছে? ১০ আপোনাৰ ঈশ্বৰ যিহোৱাৰ জীৱনৰ শপত, মোৰ প্ৰভু
ৰজাই আপোনাক বিচাৰিবলৈ মানুহ নপঠিওৱা এনে কোনো দেশ বা
ৰাজ্য নাই। সেই দেশ বা ৰাজ্যৰ লোকে যেতিয়া ‘এলিয়া ইয়াত নাই’
এইদৰে কয়, তেতিয়া তেওঁলোকে আপোনাক যে বিচাৰি পোৱা নাই,
সেই বিষয়ে সঠিক কৰিবলৈ ৰজাই আপোনাক বিচাৰিবলৈ পঠোৱা
লোকসকলক শপতো খুৱাইছিল। ১১ এতিয়া আপুনি কৈছে, ‘এলিয়া
ইয়াতে আছে, এই বুলি তোমাৰ প্ৰভুৰ আগত কোৱাগৈ’। ১২ কিয়নো
মই আপোনাৰ ওচৰৰ পৰা যোৱা মাত্ৰকে মই নজনা কোনো এক
ঠাইলৈ যিহোৱাৰ আত্মাই আপোনাক লৈ যাব; তাতে মই গৈ আহাবক
সংবাদ দিলে, যদি তেওঁ আপোনাক বিচৰি নাপায়, তেতিয়া তেওঁ মোক
বধ কৰিব; কিন্তু আপোনাৰ দাস মই হ'লে, ল'ৰাকালৰে পৰা যিহোৱাৰ
ভয়কাৰী লোক হৈ আছোঁ। ১৩ ঈজেবলে যিহোৱাৰ ভাববাদীসকলক
বধ কৰা কালত মই যিহোৱাৰ এশ ভাববাদীক পঞ্চাশ জন পঞ্চাশ
জনকৈ ভাগ কৰি গুহাত লুকুৱাই ৰাখিছিলো, আৰু তেওঁলোকক অন্ন-
জল দি কেনেকৈ প্ৰতিপালন কৰিছিলোঁ, সেই বিষয়ে জানো মোৰ
প্ৰভুৱে শুনা নাই? ১৪ তথাপি এতিয়া আপুনি কৈছে, ‘যোৱা, এলিয়া
ইয়াত আছে, এই বুলি তোমাৰ প্ৰভুক কোৱাগৈ’, যাতে তেওঁ মোক বধ
কৰিব। ১৫ তাতে এলিয়াই ক'লে, “মই যিজনাৰ সাক্ষাতে থিয় হৈ
আছোঁ, সেই বাহিনীসকলৰ যিহোৱাৰ জীৱনৰ শপত, মই আজি নিশ্চয়ে
আহবক দেখা দিম।” ১৬ তেতিয়া ওবদিয়াই আহাবক লগত সাক্ষাৎ
কৰিলে, আৰু আহাবক এই সংবাদ দিলে; পাছত আহাবে এলিয়াৰ
লগত সাক্ষাত কৰিবলৈ আহিল। ১৭ যেতিয়া আহাবে এলিয়াক দেখিলে
তেতিয়া তেওঁ ক'লে, “ইস্ৰায়েলক দুখ দিয়া লোকজন তুমি হয় নে?”
১৮ এলিয়াই উত্তৰ দি ক'লে, “মই ইস্ৰায়েলক দুখ দিয়া নাই, কিন্তু

তুমি আৰু তোমাৰ পিতৃ-বংশইহে দুখ দিছা, তোমালোকে যিহোৱাৰ
আজ্ঞা ত্যাগ কৰিলা আৰু বাল দেৱতাৰ মুৰ্ত্তিবোৰৰ পাছত চলি আছা।
১৯ এতিয়া তুমি মানুহ পঠিয়াই, ইস্রায়েলৰ সকলো লোকৰ লগতে
ঈজেবলৰ মেজত ভোজন কৰোঁতা বালৰ চাৰিশ পঞ্চাশজন ভাববাদী
আৰু সেই আচেৰাৰ চাৰিশ ভাববাদীক এতিয়াই কৰ্মিল পৰ্বতত
মোৰ ওচৰত এক গোট কৰা।" ২০ সেইদৰে আহাবে ইস্রায়েলৰ
সকলো লোকৰ ওচৰলৈ মানুহ পঠিয়ালে, আৰু ভাববাদীসকলক কৰ্মিল
পৰ্ব্বতত গোট খুৱালে। ২১ এলিয়াই লোক সকলৰ ওচৰলৈ আহি
ক'লে, "তোমোলোকে কিমান কাললৈকে তোমালোকৰ মন সলনি কৰি
থকিবা? যিহোৱা যদি ঈশ্বৰ হয়, তেন্তে তেওঁৰ পাছত চলা; কিন্তু বাল
যদি ঈশ্বৰ হয়, তেন্তে তাৰে পাছত চলা।" কিন্তু লোকসকলে তেওঁক
কোনো উত্তৰ নিদিলে। ২২ তেতিয়া এলিয়াই লোকসকলক ক'লে,
"যিহোৱাৰ এজন মাত্ৰ ভাববাদী মইহে অৱশিষ্ট আছোঁ, কিন্তু বালৰ
ভাববাদী চাৰিশ পঞ্চাশজন লোক আছে। ২৩ এই হেতুকে আমাক
দুটা ভতৰা দিয়া হওঁক; তেওঁলোকে তেওঁলোকৰ কাৰণে এটা ষাঁড়
লওক, আৰু তাক ডোখৰ ডোখৰ কৰি কাটি খৰিৰ ওপৰত থওক, কিন্তু
তাৰ তলত জুই নিদিয়ক; আৰু ময়ো আনটো ষাঁড় যুগুত কৰি খৰিৰ
ওপৰ ৰাখিম, আৰু তাৰ তলত জুই নিদিম। ২৪ তেতিয়া তোমালোকে
তোমালোকৰ দেৱতাৰ নামেৰে প্ৰাৰ্থনা কৰিবা আৰু মই যিহোৱাৰ
নামেৰে প্ৰাৰ্থনা কৰিম; তাতে যাৰ ঈশ্বৰে অগ্নিৰ দ্বাৰাই উত্তৰ দিব,
তেওঁৱেই ঈশ্বৰ হওঁক।" তাতে সকলো লোকে উত্তৰ দি ক'লে, "এইটো
ভাল কথা।" ২৫ তেতিয়া এলিয়াই বালৰ ভাববাদীসকলক ক'লে,
"প্ৰথমে তোমালোকে তোমালোকৰ কাৰণে এটা ভতৰা লোৱা, আৰু
সেই ভতৰাটো যুগুত কৰা, কিয়নো তোমালোক অনেক লোক আছা।
পাছত তোমালোকে তোমালোকৰ ঈশ্বৰৰ নামেৰে প্ৰাৰ্থনা কৰিবা,
কিন্তু তলত জুই নিদিবা।" ২৬ তেতিয়া তেওঁলোকক দিয়া ভতৰাটো
লৈ তেওঁলোকে যুগুত কৰিলে, আৰু ৰাতিপুৱাৰে পৰা দুপৰীয়ালৈকে
"হে বাল, আমাক উত্তৰ দিয়া", এই বুলি কৈ বালৰ নামেৰে প্ৰাৰ্থনা
কৰিলে; কিন্তু তেওঁলোকলৈ কোনো বাণী নহ'ল আৰু কোনেও উত্তৰো

নিদিলে। তাৰ পাছত তেওঁলোকে সজা যজ্ঞবেদীৰ চাৰিওফালে দেও
দি নাচিবলৈ ধৰিলে। ২৭ দুপৰীয়া সময়ত এলিয়াই তেওঁলোকক ঠাট্টা
কৰি ক'লে, "বৰকৈ ৰিঙিওৱাহঁক! তেওঁ এজন ঈশ্বৰ! হয়তো তেওঁ
ধ্যান কৰি আছে বা কোনো ঠাইলৈ যাত্ৰা কৰি আছে, নাইবা টোপনিতে
আছে আৰু তেওঁক জগাব প্ৰয়োজন।" ২৮ তেতিয়া তেওঁলোকে পুনৰ
বৰকৈ আটাহ পাৰি মাতিবলৈ ধৰিলে আৰু তেওঁলোকৰ ৰীতিৰ দৰে,
কটাৰী আৰু শূলৰ ধাৰেৰে কাতি তেজ নোবোৱালৈকে নিজকে ক্ষত-
বিক্ষত কৰিলে। ২৯ এইদৰে দুপৰ বেলা পাৰ হ'ল আৰু তেওঁলোকে
সন্ধ্যাৰ নৈবেদ্য দিয়ালৈকে ভাববাণী প্ৰচাৰ কৰিলে; তথাপি উত্তৰ
দিবলৈ কোনো বাণী ন'হল বা কোনোৱে তেওঁলোকক উত্তৰ দিবলৈ
মনোযোগো নকৰিলে। ৩০ তেতিয়া এলিয়াই লোকসকলক ক'লে,
"মোৰ ওচৰলৈ আহাঁ", আৰু সকলো লোক তেওঁৰ ওচৰলৈ গ'ল।
তেতিয়া তেওঁ যিহোৱাৰ সেই ভগা যজ্ঞ-বেদী মেৰামতি কৰিলে। ৩১
"তোমাৰ নাম ইস্ৰায়েল হ'ব", এই বুলি যি যাকোবৰ ওচৰলৈ যিহোৱাৰ
বাক্য আহিছিল, তেওঁৰ সন্তান সকলৰ ফৈদৰ সংখ্যা অনুসাৰে এলিয়াই
বাৰটা শিল ল'লে। ৩২ সেই শিলবোৰেৰে তেওঁ যিহোৱাৰ নামেৰে
এটা যজ্ঞ-বেদী নিৰ্ম্মাণ কৰিলে আৰু বেদীৰ চাৰিওফালে দুই চেয়া
বীজ ধৰিব পৰা এটা খাল খান্দিলে। ৩৩ তাৰ পাছত তেওঁ খৰি
ৰীতিমতে সজাই, ভতৰাটো ডোখৰ ডোখৰ কৰি কাটি খৰিৰ ওপৰত
দিলে। তেতিয়া তেওঁ ক'লে "চাৰি কলহ পানী ভৰাই এই হোম-বলিৰ
ওপৰত আৰু খৰিবোৰৰ ওপৰত ঢালি দিয়া।" ৩৪ পুনৰায় তেওঁ ক'লে,
"দ্বিতীয়বাৰো তেনে কৰা।" তেতিয়া তেওঁলোকে দ্বিতীয়বাৰো তাকেই
কৰিলে। তেওঁ আকৌ ক'লে, "তৃতীয়বাৰো তেনেকৈ কৰা।" তাতে
তেওঁলোকে তৃতীয়বাৰো কৰিলে। ৩৫ তেতিয়া বেদীৰ চাৰিওফালে
পানী বৈ গ'ল আৰু সেই খালো পানীৰে পুৰ কৰিলে। ৩৬ পাছত
সন্ধিয়া বেলাৰ নৈবেদ্য দিয়াৰ সময়ত এলিয়া ভাববাদীয়ে ওচৰলৈ
আহি ক'লে, "হে অব্ৰাহামৰ, ইচহাকৰ আৰু ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱা,
ইস্ৰায়েলৰ মাজত তুমিয়েই যে ঈশ্বৰ আৰু মই তোমাৰ দাস, আৰু
তোমাৰ বাক্যৰ প্ৰভাৱত মই যে এই সকলো কাৰ্য কৰিছোঁ, ইয়াক আজি

সকলোৱে জানক। ৩৭ হে যিহোৱা, তুমিয়েই যে ঈশ্বৰ আৰু তুমিয়েই
যে এওঁলোকৰ মন পুনৰায় তোমালৈ ঘূৰাই আনিছা, সেই বিষয়ে এই
লোকসকলে জানিবৰ কাৰণে, হে যিহোৱা, মোৰ এই কথা শুনা।” ৩৮
তেতিয়া যিহোৱাৰ অগ্নি পৰি, সেই হোম-বলি, খৰি, শিল, আৰু মাটি
গ্রাস কৰিলে, আৰু খালত থকা পানীকো চেলেকি পেলালে। ৩৯ লোক
সকলে যেতিয়া এই কার্য দেখিলে, তেতিয়া তেওঁলোকে মাটিলৈ মুখ
কৰি পৰি ক’লে, “যিহোৱায়েই ঈশ্বৰ! যিহোৱায়েই ঈশ্বৰ!” ৪০ তেতিয়া
এলিয়াই তেওঁলোকক ক’লে, “তোমালোকে বালৰ ভাববাদীসকলক
ধৰা। তেওঁলোকৰ মাজৰ এজনকো পলাই সাৰি যাব নিদিবা।” তেতিয়া
তেওঁলোকে ভাববাদীসকলক ধৰিলে আৰু এলিয়াই তেওঁলোকক
কীচোন জুৰিলৈ নি, সেই ঠাইত তেওঁলোকক বধ কৰিলে। ৪১ পাছত
এলিয়াই আহাবক ক’লে, উঠা, গৈ ভোজন-পান কৰা; কিয়নো বৰ
বৰষুণৰ শব্দ হৈছে।” ৪২ তেতিয়া আহাবে ভোজন-পান কৰিবলৈ উঠি
গ’ল। এলিয়াই কৰ্মিল পৰ্ব্বতৰ টিঙলৈ গৈ মাটিত প্রণিপাত কৰি তেওঁৰ
আঠু দুটাৰ মাজত নিজৰ মুখ ৰাখিলে। ৪৩ পাছত তেওঁ নিজৰ দাসক
ক’লে, “এতিয়া উঠি গৈ সাগৰৰ ফালে চোৱা।” তাতে তেওঁ উঠি গৈ চাই
ক’লে, “তাত একোৱেই নাই।” তেতিয়া এলিয়াই ক’লে, “তুমি আকৌ
যোৱা আৰু সাতবাৰ এইদৰে কৰা।” ৪৪ পাছত সপ্তমবাৰ চাওঁতে,
তেওঁ ক’লে, “চাওঁক, মানুহৰ হাতৰ সমান সৰু মেঘ এডোখৰ সাগৰৰ
পৰা উঠিছে।” তেতিয়া এলিয়াই ক’লে, “তুমি উঠি গৈ আহাবক কোৱা,
‘বৰষুণে আপোনাক যাবলৈ বাধা দিয়াৰ আগতে আপুনি ৰথ সজাই
নামি যাওঁক’।” ৪৫ ইয়াৰ অলপ পাছত মেঘেৰে আৰু বতাহেৰে আকাশ
ক’লা হৈ উঠিল আৰু বৰষুণ হ’ল। আৰু আহাবে ৰথত উঠি যিজ্রিয়েললৈ
গ’ল। ৪৬ তাৰ অলপ পাছত যিহোৱাৰ হাত এলিয়াৰ ওপৰত স্থিতি
হোৱাত, তেওঁ কঁকাল বান্ধি যিজ্রিয়েলত সোমোৱা ঠাইলৈকে আহাবৰ
আগে আগে লৰ ধৰিলে।

**১৯** পাছত আহাবে, এলিয়াই কৰা সেই সকলো কাৰ্যৰ কথা আৰু
বিশেষকৈ তৰোৱালৰ দ্বাৰাই আটাই বালৰ ভাববাদীসকলক বধ কৰা
কথা ঈজেবলৰ আগত ক’লে। ২ তেতিয়া ঈজেবলে এলিয়াৰ ওচৰলৈ

দূত পঠিয়াই এই কথা কো'ৱালে বোলে, “কাইলৈ এনে সময়ত যদি
মই তোমাৰ প্ৰাণ তেওঁলোকৰ এজনৰ প্ৰাণৰ দৰে নকৰোঁ, তেন্তে
দেৱতাবোৰে মোক অমুক আৰু তাতকৈয়ো অধিক দণ্ড দিয়ক।” ৩
সেই বিষয়ে শুনি এলিয়াই উঠি নিজ প্ৰাণৰক্ষাৰ বাবে পলাই গ'ল
আৰু যিহূদাৰ অধীনত থকা বেৰ-চেবালৈ আহি নিজৰ দাসক তাতেই
এৰিলে। ৪ কিন্তু তেওঁ নিজে এদিনৰ বাট মৰুপ্ৰান্তৰ মাজেদি গৈ
এজোপা ৰোতম গছৰ তলত বহিল। তেওঁ নিজৰ বাবে মৃত্যু প্ৰাৰ্থনা
কৰিলে আৰু ক'লে, “এয়ে যথেষ্ট, হে যিহোৱা, মোৰ প্ৰাণ লোৱা,
কিয়নো মই নিজ পূৰ্বপুৰুষসকলতকৈ উত্তম নহওঁ।” ৫ তাৰ পাছত
তেওঁ এজোপা ৰোতম গছৰ তলত বাগৰ দি টোপনি গ'ল। হঠাৎ এজন
দূতে তেওঁক চুই ক'লে, “উঠা আৰু ভোজন কৰা।” ৬ তেতিয়া এলিয়াই
নিজ মুৰ-শিতানত, তপত শিলত সিজোৱা এটা পিঠা আৰু এটেকেলি
পানী দেখিলে। তেতিয়া তেওঁ ভোজন কৰি পুনৰায় বাগৰ দিলে।
৭ পাছত যিহোৱাৰ দূতে দ্বিতীয়বাৰ তেওঁৰ ওচৰলৈ আহি তেওঁক
স্পৰ্শ কৰি ক'লে, “উঠা আৰু ভোজন কৰা, কিয়নো এই যাত্ৰাৰ বাবে
তোমাক অধিক শক্তিৰ প্ৰয়োজন।” ৮ তেতিয়া তেওঁ উঠি ভোজন-
পান কৰিলে আৰু সেই আহাৰৰ শক্তিৰেই চল্লিশ দিন চল্লিশ ৰাতি
যাত্ৰা কৰি যিহোৱাৰ পৰ্ব্বত হোৰেব পালে। ৯ তেওঁ এটা গুহালৈ গৈ
তাতে ৰাতিটো থাকিল। তেতিয়া তেওঁৰ ওচৰলৈ যিহোৱাৰ বাক্য
আহিল আৰু তেওঁক ক'লে, “হে এলিয়া, তুমি ইয়াত কি কৰিছা?” ১০
তেতিয়া এলিয়াই উত্তৰ দিলে, “মই বাহিনীসকলৰ ঈশ্বৰ যিহোৱাৰ
পক্ষে অতিশয় উদ্যোগী, কিয়নো ইস্ৰায়েলৰ সন্তান সকলে আপোনৰ
নিয়মটি ত্যাগ কৰিলে, আপোনাৰ যজ্ঞ-বেদীবোৰ ভাঙি পেলালে,
ভাববাদীসকলক তৰোৱালৰ দ্বাৰাই বধ কৰিলে। কেৱল মইহে অৱশিষ্ট
আছোঁ আৰু তেওঁলোকে মোৰো প্ৰাণ ল'বলৈ বিচাৰি আছে।” ১১
যিহোৱাই ক'লে, “বাহিৰলৈ ওলাই যোৱা আৰু পৰ্ব্বতৰ ওপৰলৈ
আহি মোৰ সন্মুখত থিয় হোৱা।” তেতিয়া সেই ঠায়েদি যিহোৱাই
গমণ কৰিলে আৰু তাত যিহোৱাৰ আগে আগে অতিশয় প্ৰচণ্ড বায়ুৱে
পৰ্ব্বতবোৰ আৰু শিলবোৰ ভাঙি পেলালে; কিন্তু সেই বায়ুত যিহোৱা

নাছিল। বায়ুৰ পাছত ভুমিকম্প হ’ল, কিন্তু সেই ভুমিকম্পটো যিহোৱা
নাছিল। ১২ ভুমিকম্পৰ পাছত অগ্নি হ’ল, কিন্তু সেই অগ্নিটো যিহোৱা
নাছিল। অগ্নিৰ পাছত এটি মৃদু স্বৰ শুনা গ’ল। ১৩ সেই স্বৰ শুনা
মাত্ৰকে এলিয়াই চাদৰেৰে মুখখন ঢাকি বাহিৰলৈ ওলাই আহিল,
আৰু গুহাৰ সন্মুখত থিয় হ’ল। তেতিয়া তেওঁলৈ সেই মাত আহিল
আৰু ক’লে, “হে এলিয়া, তুমি ইয়াত কি কৰিছা?” ১৪ এলিয়াই
উত্তৰ দি ক’লে, “মই বাহিনীসকলৰ ঈশ্বৰ যিহোৱাৰ পক্ষে অতিশয়
উদ্যোগী, কিয়নো ইস্রায়েলৰ সন্তান সকলে আপোনাৰ নিয়মটি ত্যাগ
কৰিলে, আপোনাৰ যজ্ঞ-বেদীবোৰ ভাঙি পেলালে আৰু আপোনাৰ
ভাববাদীসকলকো তৰোৱালৰ দ্বাৰাই বধ কৰিলে। কেৱল মইহে
অৱশিষ্ট আছোঁ আৰু তেওঁলোকে মোৰো প্ৰাণ ল’বলৈ বিচাৰি আছে।”
১৫ তেতিয়া যিহোৱাই তেওঁক ক’লে, “তুমি নিজ বাটে উলটি দম্মেচকৰ
মৰুপ্ৰান্তলৈ যোৱা আৰু যেতিয়া তুমি তাত উপস্থিত হ’বা, তেতিয়া
তুমি অৰামৰ ওপৰত ৰজা হ’বলৈ হজায়েলক অভিষেক কৰিবা; ১৬
আৰু ইস্রায়েলৰ ওপৰত ৰজা হ’বলৈ নিমচীৰ পুত্ৰ যেহূক অভিষেক
কৰিবা, আৰু তোমাৰ পদত ভাববাদী হ’বলৈ আবেল-মহোলাত থকা
চাফটৰ পুত্ৰ ইলীচাক অভিষেক কৰিবা। ১৭ সেই সময়ত এনে ঘটিব
যে, যিজনে হজায়েলৰ তৰোৱালৰ পৰা পলাই যেহূৱে সেই জনক
বধ কৰিব আৰু যি জন যেহুৰ তৰোৱালৰ পৰা পলাই সেই জনক
ইলীচাই বধ কৰিব। ১৮ কিন্তু ইস্রায়েলৰ মাজত মই নিজৰ বাবে সাত
হাজাৰ লোক অৱশিষ্ট ৰাখিম, কিয়নো তেওঁলোকৰ কোনো এজনেই
বালৰ সন্মুখত আঠুকঢ়া নাই, আৰু তেওঁলোকৰ কোনো এজনৰ মুখে
তেওঁক চুমা খোৱা নাই।” ১৯ তেতিয়া এলিয়াই সেই ঠাই এৰি গ’ল
আৰু চাফটৰ পুত্ৰ ইলীচাক লগ পালে; সেই সময়ত তেওঁ হাল বাই
আছিল; বাৰ হাল ষাঁড়-গৰু তেওঁৰ আগত আছিল; আৰু শেষৰ হালৰ
লগত তেওঁ নিজে আছিল। তাতে এলিয়াই ইলীচাৰ ওচৰলৈ আগবাঢ়ি
গ’ল আৰু নিজৰ গাৰ চাদৰখন তেওঁৰ গাৰ ওপৰত উৰাই দিলে। ২০
তেতিয়া ইলীচাই ষাঁড়বোৰ এৰি, এলিয়াৰ পাছে পাছে লৰি গ’ল;
ইলীচাই তেওঁক ক’লে, “বিনয় কৰোঁ মই মোৰ আই-বোপাইক চুমা

খাই আহিবলৈ আপুনি মোক অনুমতি দিয়ক; তাৰ পাছত আপোনাৰ
পাছে পাছে চলিম।” তেওঁ ইলীচাক ক’লে, “উলটি যোৱা, কিন্তু মই
তোমালৈ যি কৰিলোঁ সেই বিষয়ে ভাবিবা?” ২১ তেতিয়া ইলীচাই
তেওঁৰ ওচৰৰ পৰা উলটি গ’ল আৰু সেই হাল ষাঁড়বোৰ বধ কৰি,
তাৰ নাঙল আৰু যুঁৱলিৰ কাঠেৰে তাৰ মঙহ তৈয়াৰ কৰিলে আৰু
লোকসকলক দিলে; তাতে তেওঁলোকে সেয়ে ভোজন কৰিলে। তাৰ
পাছত তেওঁ উঠি এলিয়াৰ অনুগামী হৈ তেওঁৰ পৰিচৰ্যা কৰিলে।

২০ পাছত অৰামৰ ৰজা বিন-হদদে নিজৰ সৈন্য সমূহক গোট
খোৱালে; তেওঁৰ লগত বত্রিশ জন ৰজা, ঘোঁৰা আৰু ৰথবোৰ আছিল।
তেওঁ গৈ চমৰিয়া অৱৰোধ কৰিলে, আৰু চমৰিয়াৰ বিৰুদ্ধে যুদ্ধ কৰিলে।
২ তেওঁ নগৰলৈ ইস্ৰায়েলৰ ৰজা আহাবৰ ওচৰলৈ দূত পঠিয়াই তেওঁক
ক’লে, “বিন-হদদে এই কথা কৈছে: ৩ ‘তোমাৰ ৰূপ আৰু সোণ মোৰ;
আৰু তোমাৰ সবাতকৈ উত্তম পত্নীসকল আৰু সন্তান সকল আটাইবোৰ
এতিয়াৰ পৰা মোৰেই’।” ৪ তেতিয়া ইস্ৰায়েলৰ ৰজাই উত্তৰ দি ক’লে,
“হে মোৰ প্ৰভু মহাৰাজ, আপুনি যিদৰে কৈছে তেনেই হ’ব। মই আৰু
মোৰ সকলো আপোনাৰেই।” ৫ পাছত দূতবোৰে পুনৰায় আহি ক’লে,
“বিন-হদদে এই কথা কৈছে, ‘তুমি তোমাৰ ৰূপ, সোণ, পত্নীসকল আৰু
সন্তান সকলক মোলৈ শোধাই দিয়া বুলি ক’বলৈ তোমাৰ ওচৰলৈ দূত
পঠিয়াইছোঁ হয়; ৬ কিন্তু কাইলৈ এনে সময়ত মই মোৰ দাসবোৰক
তোমাৰ ওচৰলৈ পঠিয়াম, তাতে তেওঁলোকে তোমাৰ ঘৰত আৰু
তোমাৰ দাসবোৰৰ ঘৰত বিচাৰ কৰি, তেওঁলোকৰ দৃষ্টিত যি উত্তম,
সেই সকলোকে দখল কৰি লৈ আহিব’।” ৭ তেতিয়া ইস্ৰায়েলৰ ৰজাই
দেশৰ বৃদ্ধ লোকসকলক মাতি আনি তেওঁলোকক ক’লে, “মই বিনয়
কৰোঁ, তোমালোকে বিবেচনা কৰি চোৱা কিদৰে এই মানুহজনে কেৱল
অনিষ্টৰ চেষ্টা কৰিছে। কিয়নো তেওঁ মোৰ ভাৰ্য্যা আৰু সন্তান সকলক
নিজৰ কৰিবলৈ আৰু মোৰ ৰূপ ও সোণৰ কাৰণেও আদেশ পঠিওৱাত,
মই তেওঁক অস্বীকাৰ কৰা নাই।” ৮ তেতিয়া বৃদ্ধ লোকসকল আৰু
সকলো প্ৰজাই আহাবক ক’লে, “আপুনি তেওঁৰ কথা নুশুনিব আৰু সেই
কথাত সন্মতো নহ’ব।” ৯ এই হেতুকে আহাবে বিন-হদদৰ দূতবোৰক

ক'লে, “মোৰ প্ৰভু মহাৰাজক ক'বা, ‘আপুনি প্ৰথমে আপোনাৰ দাসৰ
ওচৰলৈ দূত পঠিয়াই যি কৈছিল, সেই সকলোকে মই কৰিম, কিন্তু
দ্বিতীয়বাৰ যি দাবী কৰিছে সেই বিষয়ে হ'লে মই কৰিব নোৱাৰোঁ'।”
পাছত দূতবোৰে গৈ তেওঁক সেই বাতৰি দিলে। ১০ তেতিয়া বিন-
হদদে তেওঁৰ ওচৰলৈ মানুহ পঠিয়াই ক'লে, “এই চমৰিয়াৰ ধূলি
যদি মোৰ পাছত অহা লোকসকলৰ প্ৰতিজনলৈ এমুঠিকৈ জোৰে,
তেন্তে দেৱতাবোৰে মোক অমুক আৰু তাতকৈয়ো অধিক দণ্ড দিয়ক।”
১১ তাতে ইস্ৰায়েলৰ ৰজাই উত্তৰ দি ক'লে, “তোমালোকে তেওঁক
কোৱাগৈ, ‘কোনো লোকেও যেন ৰণৰ সাজ গাত পিন্ধি, তেওঁ সাজ
সোলোকোৱা জনৰ দৰে অহংকাৰ নকৰক'।” ১২ পাছত যি সময়ত
বিন হদদ আৰু তেওঁৰ লগৰ ৰজাসকলে পঁজাবোৰত পান কৰি আছিল,
তেতিয়া তেওঁ সেই বাতৰি শুনি নিজ দাসবোৰক ক'লে, “তোমালোকে
ৰণৰ বেহু পাতা।” তেতিয়া তেওঁলোকে নগৰৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ
বেহু পাতিলে। ১৩ চোৱা, এজন ভাববাদীয়ে ইস্ৰায়েলৰ ৰজা আহাবৰ
ওচৰলৈ আহি ক'লে, “যিহোৱাই এই কথা কৈছে, ‘তুমি সেই মহা লোক
সকলৰ সৈন্য দলটো দেখিছা নে? চোৱা, আজি মই তেওঁলোকক
তোমাৰ হাতত সমৰ্পণ কৰি দিম। তেতিয়াময়েই যে যিহোৱা সেই
বিষয়ে তোমালোকে জানিবা'।” ১৪ আহাবে ক'লে, “কাৰ দ্বাৰাই এনে
কৰিবা?” ভাববাদীজনে ক'লে, “যিহোৱাই এইদৰে কৈছে, প্ৰদেশত
সেৱা কৰা অধিপতি সকলৰ ডেকাসকলৰ দ্বাৰাই।” তেতিয়া আহাবে
সুধিলে, “যুদ্ধ কোনে আৰম্ভ কৰিব?” ১৫ তেওঁ ক'লে, “তুমি।” পাছত
তেওঁ প্ৰদেশৰ অধিপতি সকলৰ ডেকাসকলক একত্ৰিত কৰিলে।
তেতিয়া তেওঁ দুশ বত্ৰিশ জন লোক পালে। তেওঁলোকৰ পাছত তেওঁ
সকলো লোকক, ইস্ৰায়েলৰ আটাই সন্তান সকলক একত্ৰিত কৰি, সাত
হাজাৰ লোক হ'ল। ১৬ পাছত তেওঁলোকে দুপৰীয়া বাহিৰ ওলাই
গ'ল; সেই সময়ত বিন-হদদ আৰু তেওঁক সহায় কৰিবলৈ সেই বত্ৰিশ
জন ৰজাই পঁজাবোৰত পান কৰি মতলীয়া হৈ আছিল। ১৭ তেতিয়া
প্ৰদেশৰ অধিপতি সকলৰ ডেকাসকলে আগে আগে ওলাই গ'ল।
তেতিয়া বিন-হদদে পঠিওৱা কিছুমান লোকে তেওঁক আহি খবৰ

দিলে বোলে, “চমৰিয়াৰ পৰা লোকসকল বাহিৰলৈ ওলাই আহিছে।”
১৮ তেতিয়া বিন-হদদে ক’লে, “তেওঁলোকে সন্ধিৰ বাবেই ওলাই
আহক বা যুদ্ধৰ কৰণেই ওলাই আহক, তেওঁলোকক জীয়াই জীয়াই
ধৰিবা।” ১৯ এনেতে প্রদেশৰ অধিপতিৰ ডেকাসকল আৰু তেওঁলোকৰ
পাছত যোৱা সৈন্যদল নগৰৰ বাহিৰ ওলাই গ’ল। ২০ তেওঁলোকৰ
প্ৰতিজনে নিজৰ নিজৰ সন্মুখত থকা লোকক বধ কৰিলে। তেতিয়া
অৰামীয়াসকল পলাবলৈ ধৰাত, ইস্রায়েলৰ লোকসকলে তেওঁলোকৰ
পাছে পাছে খেদি গ’ল। কিন্তু অৰামৰ ৰজা বিন-হদদে কিছুমান
অশ্বাৰোহী সেনাৰ সৈতে ঘোঁৰাত উঠি পলাই সাৰিল। ২১ তেতিয়া
ইস্রায়েলৰ ৰজাই ওলাই গৈ তেওঁলোকৰ ঘোঁৰা আৰু ৰথবোৰ নষ্ট
কৰিলে আৰু অৰামীয়াসকলৰ মাজত মহা-সংহাৰ কৰিলে। ২২ তাৰ
পাছত সেই ভাববাদীয়ে ইস্রায়েলৰ ৰজাৰ ওচৰলৈ আহি ক’লে বোলে,
“তুমি গৈ নিজকে বলবান কৰা আৰু তুমি সাৱধান হৈ নিজে কি কৰা
উচিত, সেই বিষয়ে বিবেচনা কৰা, কিয়নো বছৰ ঘূৰি অহাৰ সময়ত
অৰামৰ ৰজাই তোমাৰ বিৰুদ্ধে পুনৰায় আহিব।” ২৩ পাছত অৰামৰ
ৰজাৰ দাসবোৰে তেওঁক কলে, “তেওঁলোকৰ দেৱতা পৰ্ব্বতীয়া দেৱতা,
এই কাৰণে তেওঁলোক আমাতকৈ শক্তিশালী আছিল। কিন্তু আমি
যদি সমথলত তেওঁলোকৰ লগত যুদ্ধ কৰোঁ, তেতিয়া আমি নিশ্চয়ে
তেওঁলোকতকৈ শক্তিশালী হৈ তেওঁলোকক পৰাজয় কৰিম। ২৪ আৰু
আপুনি ইয়াকো কৰক; ৰজাসকলক নিজ নিজ বাবৰ পৰা গুচাই,
তেওঁলোকৰ বাবত সেনাপতি নিযুক্ত কৰক। ২৫ আৰু আপুনি হেৰুওৱা
সৈন্য-সামন্তৰ যিমান ঘোঁৰা আৰু যিমান ৰথ আছিল, সিমান ঘোঁৰা
আৰু ৰথ থকা সৈন্য গোটাওক, তেতিয়া আমি সমথলত তেওঁলোকৰ
লগত যুদ্ধ কৰিম। তাতে আমি নিশ্চয়ে তেওঁলোকক পৰাজয় কৰিম।”
তেতিয়া বিন-হদদে তেওঁলোকৰ কথা শুনিলে, আৰু সেইদৰে কৰিলে।
২৬ পাছত নতুন বছৰৰ আৰম্ভণৰ পাছত বিন-হদদে অৰামীয়াসকলক
গোটাই ইস্রায়েলৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ অফেকলৈ উঠি গ’ল। ২৭
তেতিয়া ইস্রায়েলৰ সন্তান সকলক গোটোৱা হৈছিল আৰু তেওঁলোকৰ
কাৰণে যুদ্ধ কৰিবলৈ আহাৰীয় দ্রব্য যোগোৱা আছিল। তেওঁলোকে

অৰামীয়াসকলৰ বিৰুদ্ধে যাত্ৰা কৰিলে আৰু তেওঁলোকৰ সন্মুখত
ছাউনি পাতিলে। তাতে ইস্ৰায়েলৰ সন্তান সকলক ছাগলী পোৱালিৰ
দুটা সৰু জাকৰ নিচিনা দেখা গ'ল, কিন্তু অৰামীয়াসকল দেশ জুৰি
আছিল। ২৮ সেই সময়ত ঈশ্বৰৰ এজন লোক আহি ইস্ৰায়েলৰ ৰজাক
ক'লে, "যিহোৱাই এই কথা কৈছে: অৰামীয়াসকলে কৈছে যে, যিহোৱা
পৰ্ব্বতীয়া ঈশ্বৰ, সমথলত থকা ঈশ্বৰ নহয়, এই কাৰণে মই সেই
মহালোক সমূহক তোমাৰ হাতত সমৰ্পণ কৰি দিম, তেতিয়া ময়েই
যে যিহোৱা, সেই বিষয়ে তোমালোকে জানিবা'।" ২৯ তাৰ পাছত
তেওঁলোকে সাত দিনলৈকে সন্মুখা-সন্মুখি হৈ ছাউনিত থাকিল।
সপ্তম দিনা যুদ্ধ লাগিল। তাতে ইস্ৰায়েলৰ সন্তান সকলে একে দিনাই
অৰামীয়াসকলৰ এক লাখ পদাতিক সৈন্যক সংহাৰ কৰিলে। ৩০
কিন্তু অৱশিষ্টসকল অফেকলৈ পলাই নগৰত সোমাল আৰু তাতে
সেই নগৰৰ গড় সেই অৱশিষ্ট থকা সাতাইশ হাজাৰ লোকৰ ওপৰত
পৰিল। বিন-হদদ নগৰৰ ভিতৰলৈ পলাই গৈ এটা ভিতৰ কোঁঠালিত
সোমাল। ৩১ পাছত তেওঁৰ দাসবোৰে তেওঁক ক'লে, "চাওঁক, আমি
শুনিছোঁ যে ইস্ৰায়েল-বংশৰ ৰজাসকল দয়ালু ৰজা; এই হেতুকে
বিনয় কৰোঁ, আমি ককালত চট পিন্ধি ডিঙিত লেজু লৈ, বাহিৰ হৈ
ইস্ৰায়েলৰ ৰজাৰ ওচৰলৈ যাওঁহঁক; কিজানি তেওঁ আপোনাৰ প্ৰাণ
ৰক্ষা কৰিব।" ৩২ তেতিয়া তেওঁলোকে চট পিন্ধি, ডিঙিত লেজু লৈ,
ইস্ৰায়েলৰ ৰজাৰ ওচৰলৈ আহি ক'লে, "আপোনাৰ দাস বিন-হদদে
কৈছে, 'মই বিনয় কৰোঁ, মোক জীয়াই ৰাখক'।" তেতিয়া আহাবে
ক'লে, "বিন-হদদ এতিয়াও জীয়াই আছে নে? তেওঁ মোৰ ভাই।"
৩৩ তেতিয়া সেই লোকসকলে ইয়াকে শুভ লক্ষণ বুলি বুজি, তেওঁৰ
মনৰ ভাব স্পষ্ট কৰি উলিয়াবলৈ বেগাই ক'লে, "আপোনাৰ ভাই বিন-
হদদ জীয়াই আছে।" তেতিয়া তেওঁ ক'লে, "তোমালোকে গৈ তেওঁক
আনা।" তেতিয়া বিন-হদদ বাহিৰ ওলাই তেওঁৰ ওচৰলৈ অহাত, ৰজাই
তেওঁক ৰথত তুলিলে। ৩৪ তেতিয়া বিন-হদদে তেওঁক ক'লে, "মোৰ
পিতৃয়ে তোমাৰ পিতৃৰ পৰা যি যি নগৰ লৈছিল, সেই নগৰবোৰক মই
তোমাক পুনৰায় ঘূৰাই দিম আৰু মোৰ পিতৃয়ে যেনেকৈ চমৰিয়াত

হাট-বজাৰ বহুৱাইছিল, তুমিও তোমাৰ কাৰণে সেইদৰে দম্মেচকত
হাট-বজাৰ বহুৱাবা।" আহাবে ক'লে, "মই এই চুক্তিৰেই তোমাক
বিদায় কৰিম।" এইদৰে আহাবে তেওঁৰ লগত নিয়ম বান্ধি তেওঁক
বিদায় দিলে। ৩৫ পাছত শিষ্য ভাববাদীসকলৰ মাজৰ এজনে তেওঁৰ
লগৰ এজনক যিহোৱাৰ বাক্যৰ দ্বাৰাই ক'লে, "মই বিনয় কৰোঁ, মোক
মাৰা।" কিন্তু সেই লোকজনে মাৰিবলৈ মান্তি নহ'ল। ৩৬ তেতিয়া
তেওঁ তেওঁক ক'লে, তুমি যিহোৱাৰ বাক্য নমনাৰ কাৰণে তুমি মোৰ
ওচৰৰ পৰা যোৱা মাত্ৰকে এটা সিংহই তোমাক বধ কৰিব; পাছত
তেওঁ তেওঁৰ ওচৰৰ পৰা যোৱা মাত্ৰকে এটা সিংহই তেওঁক পাই বধ
কৰিলে। ৩৭ তেওঁ আৰু এজন লোকক পাই ক'লে, "মই বিনয় কৰোঁ,
মোক মাৰা।" তাতে সেই মানুহজনে তেওঁক মাৰি তেওঁক আঘাত
কৰিলে। ৩৮ পাছত সেই ভাববাদীয়ে গৈ চকুৰ ওপৰত কাপোৰ বান্ধি
নিজকে চিনিব নোৱাৰা কৰি, বাটত ৰজালৈ বাট চাই থাকিল। ৩৯
তাৰ পাছত ৰজা ওচৰেদি যাওঁতে, তেওঁ বৰ মাতেৰে ৰজাক ক'লে,
"আপোনাৰ এই দাসে যুদ্ধলৈ যাওঁতে, এজন সৈনিক ঘূৰি আহি মোৰ
ওচৰলৈ এজন শত্ৰুক আনি ক'লে, 'এই লোকজনক ৰাখা; যদি তেওঁ
কেনেবাকৈ হেৰায়, তেন্তে তাৰ প্ৰাণৰ সলনি তোমাৰ প্ৰাণ যাব, নাইবা
তুমি এক কিক্কৰ পৰিমাণ ৰূপ দিব লাগিব।' ৪০ কিন্তু আপোনাৰ
এই দাসে ইফালে সিফালে কামত লাগি থাকোঁতে, সেই লোকজন
পলাই গ'ল।" তেতিয়া ইস্ৰায়েলৰ ৰজাই তেওঁক ক'লে, "তেন্তে তোমাৰ
তেনে দণ্ড হওঁক- তুমি নিজেই তাক নিশ্চয় কৰিলা।" ৪১ তেতিয়া সেই
ভাববাদীজনে বেগাই নিজৰ চকুৰ ওপৰৰ পৰা কাপোৰ গুচালে; তাতে
ইস্ৰায়েলৰ ৰজাই, তেওঁ যে ভাববাদীসকলৰ মাজৰ এজন, তাক চিনি
পালে। ৪২ পাছত তেওঁ ৰজাক ক'লে, "যিহোৱাই এই কথা কৈছে,
'মই যি জনক বিনাশৰ অৰ্থে বৰ্জিত কৰিছিলোঁ, তুমি নিজ হাতৰ পৰা
তেওঁক এৰি দিলা; এই কাৰণে তেওঁৰ প্ৰাণৰ সলনি তোমাৰ প্ৰাণ
আৰু তেওঁৰ প্ৰজাসকলৰ সলনি তোমাৰ প্ৰজাসকলৰ প্ৰাণ যাব'।" ৪৩
তেতিয়া ইস্ৰায়েলৰ ৰজা অসন্তুষ্ট হ'ল, আৰু খঙেৰে ঘৰলৈ গ'ল। পাছত
চমৰিয়াত আহি উপস্থিত হ'ল।

২১ তাৰ পাছত এনে ঘটনা ঘটিল যে, যিজ্ৰিয়েলীয়া নাবোতৰ এখন
দ্ৰাক্ষাবাৰী আছিল; আৰু সেই দ্ৰাক্ষাবাৰী যিজ্ৰিয়েলত চমৰিয়াৰ ৰজা
আহাবৰ ৰাজ গৃহৰ ওচৰতে আছিল। ২ আহাবে নাবোতক ক'লে,
"তোমাৰ দ্ৰাক্ষাবাৰীখন মোক দিয়া, মই তাক শাকৰ বাৰী কৰিম, কাৰণ
সেয়ে মোৰ ঘৰৰ ওচৰতে আছে; মই তাৰ সলনি তোমাক তাতকৈ
উত্তম আন এখন দ্ৰাক্ষাবাৰী দিম, বা যদি তুমি ইচ্ছা কৰা তেনেহলে
তাৰ যি ৰূপ হ'ব, তাৰ মূল্যও তোমাক দিম।" ৩ তেতিয়া নাবোতে
আহাবক ক'লে, "মই যে মোৰ পৈতৃক সম্পত্তি আপোনাক দিম,
যিহোৱাই সেই বিষয়ে নিষেধ কৰক।" ৪ তেতিয়া আহাবে খঙীয়াল
আৰু অসন্তুষ্ট হৈ নিজ ৰাজ-গৃহলৈ ঘূৰি আহিল; কিয়নো যিজ্ৰিয়েলীয়া
নাবোতে তেওঁক এই কথাষাৰেৰে উত্তৰ দিছিল বোলে, "মই মোৰ
পৈতৃক সম্পত্তি আপোনাক নিদিওঁ।" তেওঁ নিজ শয্যাত বাগৰ দি, মুখ
ঘূৰাই, অনাহাৰে থাকিল। ৫ তেতিয়া তেওঁৰ পত্নী ঈজেবলে তেওঁৰ
ওচৰলৈ আহি তেওঁক ক'লে, "তুমি যে আহাৰ গ্ৰহন কৰা নাই, তোমাৰ
মনত এনে কি বেজাৰ আছে?" ৬ এনেতে ৰজাই তেওঁক ক'লে, "মই
যিজ্ৰিয়েলীয়া নাবোতক কৈছিলোঁ, 'তোমাৰ দ্ৰাক্ষাবাৰীখন মোলৈ বিক্ৰী
কৰি দিয়া, বা তুমি যদি সন্তুষ্ট হোৱা তেনেহলে তাৰ সলনি মই তোমাক
আন এখন দ্ৰাক্ষাবাৰীও দিম।' তেতিয়া তেওঁ মোক উত্তৰ দি ক'লে,
'মই মোৰ দ্ৰাক্ষাবাৰী আপোনাক নিদিওঁ'।" ৭ তেতিয়া তেওঁৰ পত্নী
ঈজেবলে তেওঁক ক'লে, "তুমিয়েই জানো এতিয়াও ইস্ৰায়েলৰ ওপৰত
ৰাজত্ব নকৰা? উঠা আৰু ভোজন কৰা; তোমাৰ মন আনন্দিত হওঁক।
যিজ্ৰিয়েলীয়া নাবোতৰ দ্ৰাক্ষাবাৰী মই তোমাৰ কৰিম।" ৮ পাছত
ঈজেবলে আহাবৰ নামেৰে পত্ৰ লিখি তেওঁৰ মোহৰেৰে মোহৰ মাৰি,
নাবোতৰ নগৰত বাস কৰা বৃদ্ধ লোকসকললৈ, তেওঁৰ সৈতে সভাত
বহা প্ৰধান লোকসকল আৰু তেওঁৰ ওচৰ-চুবুৰীয়া সকলৰ ওচৰলৈ
সেই পত্ৰবোৰ পঠিয়াই দিলে। ৯ তাই পত্ৰবোৰত এই কথা লিখিছিল,
"তোমালোকে উপবাস প্ৰচাৰ কৰা; আৰু লোকসকলৰ মাজত নাবোতক
ওখ পদত ঠাই দিয়া; ১০ তেওঁৰ লগত দুজন অসৎ লোককো ঠাই
দিয়া যেন সেই দুজন লোকে তেওঁৰ অহিতে সাক্ষ্য দি কয় বোলে,

‘তুমি ঈশ্বৰক আৰু ৰজাক শাও দিলা’।” তাৰ পাছত তোমালোকে
তেওঁক বাহিৰলৈ উলিয়াই আনি তেওঁক শিল দলিয়াই বধ কৰা। ১১
তেতিয়া নাবোতৰ নগৰৰ লোকসকলে, অৰ্থাৎ সেই নগৰবাসী বৃদ্ধ
আৰু প্ৰধান লোকসকলে, ঈজেবলে তেওঁলোকলৈ পত্ৰবোৰত লিখি
পঠিওৱাৰ দৰে, সেই লোকসকলে পত্ৰত লিখা আজ্ঞা অনুসাৰে কাৰ্য
কৰিলে। ১২ তেওঁলোকে উপবাস প্ৰচাৰ কৰি লোকসকলৰ মাজত
নাবোতক তেওঁলোকৰ ওপৰত ওখ পদত ঠাই দিলে। ১৩ আৰু সেই
অসৎ লোক দুজনে প্ৰৱেশ কৰি তেওঁৰ আগত বহিল। তেতিয়া সেই
লোক দুজনে নাবোতৰ বিৰুদ্ধে লোকসকলৰ আগত এই সাক্ষ্য দি
ক’লে বোলে, “নাবোতে ঈশ্বৰক আৰু ৰজাকো শাও দিলে।” তেতিয়া
লোকসকলে তেওঁক নগৰৰ বাহিৰলৈ উলিয়াই আনিলে, আৰু শিল
দলিয়াই তেওঁক বধ কৰিলে। ১৪ তাৰ পাছত সেই বৃদ্ধ লোকসকলে
ঈজেবলৰ ওচৰলৈ মানুহ পঠিয়াই কোৱালে বোলে, “নাবোতলৈ শিল
দলিওৱাত, তেওঁৰ মৃত্যু হ’ল।” ১৫ তেতিয়া নাবোতলৈ শিল দলিওৱাত,
তেওঁৰ মৃত্যু হোৱাৰ কথা শুনা মাত্ৰকে ঈজেবলে আহাবক ক’লে,
“উঠা, যিজ্ৰিয়েলীয়া নাবোতে যি দ্ৰাক্ষাবাৰী তোমাক বিক্ৰী কৰিবলৈ
অসন্মত আছিল, তাক অধিকাৰ কৰাগৈ; কিয়নো নাবোত জীয়াই থকা
নাই, তেওঁৰ মৃত্যু হ’ল। ১৬ যেতিয়া আহাবে নাবোতৰ মৃত্যু হোৱাৰ
কথা শুনিলে তেতিয়া তেওঁ উঠি যিজ্ৰিয়েলীয়া নাবোতৰ দ্ৰাক্ষাবাৰীখন
অধিকাৰ কৰিবলৈ নামি গ’ল। ১৭ সেই সময়ত তিচবীয়া এলিয়াৰ
ওচৰলৈ যিহোৱাৰ এই বাক্য আহিল বোলে, ১৮ “উঠা, চমৰিয়া-নিবাসী
ইস্ৰায়েলৰ ৰজা আহাবৰ লগত সাক্ষ্য কৰিবলৈ যোৱা। তেওঁ নাবোতৰ
দ্ৰাক্ষাবাৰীত আছে; তেওঁ তাক অধিকাৰ কৰিবলৈ সেই ঠাইলৈ গ’ল।
১৯ তুমি তেওঁৰ আগত এই কথা ক’বা, যিহোৱাই এই কথা কৈছে,
‘তুমি নৰ-বধ কৰি উত্তৰাধীকাৰ লৈছা নে?’ আৰু তুমি তেওঁক ক’বা,
যিহোৱাই এই কথা কৈছে, ‘যি ঠাইত কুকুৰবোৰে নাবোতৰ তেজ
চেলেকি খালে, সেই ঠাইতে কুকুৰবোৰে তোমাৰো তেজ চেলেকি খাব।
হয়, তোমাৰো তেজ চেলেকি খাব’।” ২০ তেতিয়া আহাবে এলিয়াক
কলে, “হে মোৰ শত্ৰু, তুমি মোক বিচাৰি পালা নে?” তেতিয়া তেওঁ

ক'লে, "হয়, মই তোমাক বিচাৰি পালোঁ, কিয়নো যিহোৱাৰ দৃষ্টিত
যি পাপ, তুমি তাকে কৰিবলৈ নিজকে বেচি দিলা। ২১ যিহোৱাই
তোমাক এই কথা কৈছে: মই তোমালৈ অমঙ্গল ঘটাম আৰু তোমাক
সম্পূৰ্ণৰূপে ধংস কৰিম আৰু তোমাৰ সম্বন্ধীয়া প্ৰতিজন পুৰুষক বা
ইস্ৰায়েলৰ মাজত বন্দী বা মুক্ত অৱস্থাত থকা দুয়োকে উচ্ছন্ন কৰিম।
২২ আৰু যি অসন্তোসজনক কাৰ্যবোৰেৰে তুমি মোৰ ক্ৰোধ উত্তেজিত
কৰিলা আৰু ইস্ৰায়েলক পাপ কৰোৱালা, সেই কাৰণে মই তোমাৰ
বংশ, নবাটৰ পুত্ৰ যাৰবিয়ামৰ বংশ আৰু অহিয়াৰ পুত্ৰ বাচাৰ বংশৰ
দৰে কৰিম।' ২৩ আৰু যিহোৱাই ঈজেবলৰ বিষয়েও কৈছে বোলে,
'যিজ্ৰিয়েলৰ গড়ৰ কাষত ঈজেবলক কুকুৰবোৰে খাব।' ২৪ আহাবৰ
বংশৰ যি জন লোকৰ যেতিয়া নগৰত মৃত্যু হ'ব- তেওঁক কুকুৰবোৰে
খাব। আৰু যি জন লোকৰ নগৰৰ বাহিৰত মৃত্যু হ'ব, তেওঁক আকাশৰ
চৰাইবোৰে খাব।" ২৫ কিন্তু যি জনক নিজ পত্নী ঈজেবলে উত্তেজিত
কৰাই যিহোৱাৰ দৃষ্টিত কু-আচৰণ কৰিবলৈ নিজকে বেচিলে, সেই
আহাবৰ দৰে কোনো এজন লোক নাছিল। ২৬ আৰু যিহোৱাই যি
ইমোৰীয়াসকলক ইস্ৰায়েলৰ সন্তান সকলৰ সন্মুখৰ পৰা দূৰ কৰিলে,
তেওঁলোকৰ সকলো কৰ্মৰ দৰে, তেওঁ প্ৰতিমাবোৰৰ পাছত চলোঁতা
হৈ অতিশয় ঘিণলগীয়া কাৰ্য কৰিলে। ২৭ যেতিয়া আহাবে এইবোৰ
কথা শুনিলে, তেতিয়া তেওঁ নিজৰ কাপোৰ ফালিলে আৰু গাত চট
কাপোৰ পিন্ধি লঘোন দিলে আৰু চটত শয়ন কৰি অতি দুখী হ'ল। ২৮
পাছত তিচবীয়া এলিয়াৰ ওচৰলৈ যিহোৱাৰ এই বাক্য আহিল বোলে,
২৯ "আহাবে মোৰ দৃষ্টিত কেনেকৈ নিজকে নম্ৰ কৰিছে, সেই বিষয়ে
তুমি দেখিছা নে? কিয়নো তেওঁ মোৰ আগত নিজকে নম্ৰ কৰিলে, এই
হেতুকে মই তেওঁৰ আয়ুসৰ কালত সেই অমঙ্গল নঘটাম, কিন্তু তেওঁৰ
পুত্ৰৰ দিনত তেওঁৰ বংশলৈ সেই অমঙ্গল ঘটাম।"

**২২** পাছত তিনি বছৰলৈকে অৰাম আৰু ইস্ৰায়েলে যুদ্ধ নকৰাকৈ
ক্ষান্ত হৈ থাকিল। ২ তেতিয়া সেই তৃতীয় বছৰত যিহূদাৰ ৰজা
যিহোচাফটে ইস্ৰায়েলৰ ৰজাৰ ওচৰলৈ নামি আহিল। ৩ সেই সময়ত
ইস্ৰায়েলৰ ৰজাই নিজ দাসবোৰক ক'লে, "ৰামোৎ-গিলিয়দত যে

আমাৰ অধিকাৰ আছে, সেই বিষয়ে তোমালোকে জানা নে? তেনেহলে
তাক আমি ৰজা অৰামৰ হাতৰ পৰা লৈ আমাৰ অধীন কৰিবলৈ সেই
বিষয়ে কিয় একোকে কৰা নাই?” ৪ তেতিয়া তেওঁ যিহোচাফটক
ক’লে, “আপুনি মোৰ লগত যুদ্ধ কৰিবলৈ ৰামোৎ-গিলিয়দলৈ যাব নে?”
তেতিয়া যিহোচাফটে ইস্ৰায়েলৰ ৰজাক ক’লে, “আপুনি যেনে, মইয়ো
তেনে; মোৰ প্ৰজা যেনে, আপোনাৰ প্ৰজাও তেনে আৰু মোৰ ঘোঁৰাবোৰ
যেনে, আপোনাৰ ঘোঁৰাবোৰো তেনে।” ৫ যিহোচাফটে ইস্ৰায়েলৰ
ৰজাৰ আগত পুনৰায় ক’লে, “মই বিনয় কৰোঁ, যিহোৱাৰ বাক্য কি,
সেই বিষয়ে প্ৰথমে বিচাৰ কৰক।” ৬ তেতিয়া ইস্ৰায়েলৰ ৰজাই
ভাববাদীসকলক অৰ্থাৎ প্ৰায় চাৰিশ লোকক গোটাই তেওঁলোকক
সুধিলে, “মই ৰামোৎ-গিলিয়দৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ যাম নে, নে ক্ষান্ত
হ’ম?” তেতিয়া তেওঁলোকে ক’লে, “যাওঁক, কিয়নো প্ৰভুৱে মহাৰাজৰ
হাতত তাক সমৰ্পণ কৰিব।” ৭ তেতিয়া যিহোচাফটে ক’লে, “আমাক
পৰামৰ্শ দিবলৈ যিহোৱাৰ আন কোনো ভাববাদী ইয়াত আৰু আছে
নে?” ৮ এনেতে ইস্ৰায়েলৰ ৰজাই যিহোচাফটক ক’লে, “এনে এজন
আৰু ভাববাদী আছে যাৰ দ্বাৰাই আমি যিহোৱাৰ সহায়ৰ বাবে পৰামৰ্শ
লব পাৰোঁ; তেওঁ যিম্লাৰ পুত্ৰ মীখায়া, কিন্তু মই তেওঁক ঘিণ কৰোঁ,
কিয়নো তেওঁ মোৰ বিষয়ে মঙ্গলৰ ভাববাণী প্ৰচাৰ নকৰে, কেৱল
অমঙ্গলহে প্ৰচাৰ কৰে।” তেতিয়া যিহোচাফটে ক’লে, “মহাৰাজে যেন
সেই ধৰণে কথা নকওঁক।” ৯ তেতিয়া ইস্ৰায়েলৰ ৰজাই নিজৰ এজন
বিষয়া মাতি তেওঁক আজ্ঞা দি ক’লে, “যিম্লাৰ পুত্ৰ মীখায়াক এতিয়াই
লৈ আহা।” ১০ সেই সময়ত ইস্ৰায়েলৰ ৰজা আহাব আৰু যিহূদাৰ
ৰজা যিহোচাফটে ৰাজবস্ত্ৰ পিন্ধি, চমৰিয়াৰ প্ৰবেশ স্থানৰ ওচৰৰ
এখন মুকলি ঠাইত নিজ নিজ সিংহাসনত বহি আছিল; আৰু আটাই
ভাববাদীসকলে তেওঁলোকৰ আগত ভাববাণী প্ৰচাৰ কৰি আছিল।
১১ বিশেষকৈ কনানাৰ পুত্ৰ চিদিকিয়াই নিজৰ কাৰণে লোহাৰ শিং
এজোৰ সাজি লৈ ক’লে, “যিহোৱাই এইদৰে কৈছে: ‘ইয়াৰ দ্বাৰাই
তুমি অৰামীয়াসকলক সম্পূৰ্ণৰূপে সংহাৰ নকৰালৈকে তেওঁলোকক
ইয়াৰে খুঁচি থাকিবা’।” ১২ তেতিয়া আন আন ভাববাদীসকলেও

সেইদৰেই ভাববাণী প্ৰচাৰ কৰি ক'লে, "আপুনি ৰামোৎ-গিলিয়দলৈ
আটক কৰক; তাতে আপুনি কৃতকাৰ্য্য হ'ব; কিয়নো যিহোৱাই তাক
মহাৰাজৰ হাতত শোধাই দিব।" ১৩ পাছত যি জন লোকে মীখায়াক
মাতিবলৈ গৈছিল, তেওঁ গৈ তেওঁক ক'লে, "চোৱা, ভাববাদীসকলে
একে মুখেৰে ৰজাৰ আগত মঙ্গলৰ কথা কৈছে। মই বিনয় কৰোঁ,
তোমাৰ বাক্যও তেওঁলোকৰ এজনৰ বাক্যৰ দৰে হৈ তুমিও যেন
মঙ্গলৰ বাক্য প্ৰচাৰ কৰা।" ১৪ তাতে মীখায়াই ক'লে, "যিহোৱাৰ
জীৱনৰ শপত, যিহোৱাই মোক যিদৰে ক'ব, মই সেইদৰেহে ক'ম।"
১৫ পাছত যেতিয়া তেওঁ ৰজাৰ ওচৰলৈ আহিল, ৰজাই তেওঁক সুধিলে,
"হে মীখায়া আমি ৰামোৎ-গিলিয়দলৈ যুদ্ধ কৰিবলৈ যাম নে, নে
ক্ষান্ত হ'ম?" তেতিয়া তেওঁ ক'লে, "যাওঁক, আপুনি কৃতকাৰ্য্য হ'ব
আৰু যিহোৱাই তাক মহাৰাজৰ হাতত সমৰ্পণ কৰিব।" ১৬ তেতিয়া
ৰজাই তেওঁক ক'লে, "তুমি যিহোৱাৰ নামেৰে মোক কেৱল সত্য
বাক্য ক'বলৈ, মই তোমাক কিমানবাৰ শপত খুৱাম?" ১৭ তেতিয়া
তেওঁ ক'লে, "মই সমুদায় ইস্ৰায়েলক ৰখীয়া নোহোৱা মেৰ-ছাগৰ
জাকৰ দৰে পৰ্বতবোৰৰ ওপৰত ছিন্ন-ভিন্ন হৈ থকা দেখিলোঁ আৰু
যিহোৱাই ক'লে, 'এইবোৰৰ ৰখীয়া নাই; তেওঁলোক প্ৰতিজনে যেন
নিজ নিজ ঘৰলৈ শান্তিৰে উলটি যাওঁক'।" ১৮ তেতিয়া ইস্ৰায়েলৰ
ৰজাই যিহোচাফটক ক'লে, "তেওঁ মোৰ বিষয়ে মঙ্গলৰ ভাববাণী
প্ৰচাৰ নকৰি কেৱল অমঙ্গলহে প্ৰচাৰ কৰিব, সেই বিষয়ে জানো মই
পুৰ্ব্বেই আপোনাৰ আগত কোৱা নাই?" ১৯ মীখায়াই পুনৰায় ক'লে,
"বাৰু, তুমি যিহোৱাৰ বাক্য শুনা: মই যিহোৱাক নিজ সিংহাসনত
বহি থকা দেখিলোঁ; সোঁফালে আৰু বাওঁফালে তেওঁৰ ওচৰত স্বৰ্গৰ
সকলো বাহিনী থিয় হৈ আছিল। ২০ তাৰ পাছত যিহোৱাই ক'লে,
'আহাবক গৈ ৰামোৎ-গিলিয়দত পতিত হ'বৰ কাৰণে কোনে তেওঁক
উত্তেজিত কৰিব?' তেতিয়া এজনে একেভাবে আৰু আনজনে আন
ভাবে উত্তৰ দিবলৈ ধৰিলে। ২১ তেতিয়া এক আত্মাই ওলাই আহি
যিহোৱাৰ সাক্ষাতে থিয় হৈ ক'লে, 'মইয়ে তেওঁক উত্তেজিত কৰাম।'
২২ তেতিয়া যিহোৱাই ক'লে, 'কেনেকৈ?' তেওঁ ক'লে, 'মই গৈ আটাই

ভাববাদীসকলৰ মুখত মিছা কওঁতা আত্মা হ'ম।' তেতিয়া যিহোৱাই
ক'লে, 'হয়, তুমি তেওঁক উত্তেজিত কৰিবা আৰু কৃতকাৰ্য্যও হ'বা।
এতিয়া ওলাই যোৱা আৰু সেইদৰে কৰা।' ২৩ এই হেতুকে চোৱা,
যিহোৱাই তোমাৰ এই সকলো ভাববাদীসকলৰ মুখত মিছা কওঁতা
এক আত্মা দিলে আৰু যিহোৱাই তোমাৰ বিষয়ে অমঙ্গলৰ কথাও
ক'লে।" ২৪ তেতিয়া কনানাৰ পুত্ৰ চিদিকিয়াই ওচৰলৈ আহি মীখায়াৰ
গালত চৰ মাৰি ক'লে, "তোমাৰ লগত কথা ক'বৰ কাৰণে যিহোৱাৰ
আত্মা মোৰ পৰা তোমালৈ কোন পথেদি গ'ল?" ২৫ তেতিয়া মীখায়াই
ক'লে, "চোৱা, যি দিনা নিজকে লুকাবৰ কাৰণে ভিতৰ-কোঠালিলৈ
সোমাই যাবা, সেই দিনাই তুমি সেই বিষয়ে জানিবা।" ২৬ তাৰ
পাছত ইস্রায়েলৰ ৰজাই আজ্ঞা কৰিলে, "মীখায়াক ধৰি নগৰৰ অধ্যক্ষ
অমোনৰ আৰু মোৰ পুত্ৰ ৰাজকোঁৱৰ যোৱাচৰ ওচৰলৈ লৈ যোৱা। ২৭
তেতিয়া তেওঁক ক'বা, 'ৰজাই এইদৰে কৈছে, এইজনক বন্দীশালত
বন্ধ কৰি থোৱা আৰু মই শান্তিৰে উলটি নহালৈকে, তেওঁক খাবৰ
কাৰণে অতি কম পৰিমাণে পিঠা আৰু পানী দিবা'।" ২৮ তেতিয়া
মীখায়াই ক'লে, "তুমি যদি কোনো ৰূপে শান্তিৰে উভটি আহাঁ, তেন্তে
যিহোৱাই মোৰ মুখে এই বাক্য কোৱা নাই।" তেওঁ পুনৰায় ক'লে, "হে
জাতি সমূহ, এই বিষয়ে সকলোৱে শুনক।" ২৯ তাৰ পাছত ইস্রায়েলৰ
ৰজা আৰু যিহূদাৰ ৰজা যিহোচাফটে ৰামোৎ-গিলিয়দলৈ উঠি গ'ল।
৩০ ইস্রায়েলৰ ৰজাই যিহোচাফটক ক'লে, "মই অন্য বেশ ধৰি যুদ্ধত
সোমাম, কিন্তু আপুনি হ'লে আপোনাৰ ৰাজ-বস্ত্ৰ পিন্ধি থাকিব লাগিব।"
এনেতে ইস্রায়েলৰ ৰজাই আন বেশ ধৰি যুদ্ধত সোমাল। ৩১ কিন্তু
অৰামৰ ৰজাই নিজৰ ৰথৰ বত্ৰিশ জন অধ্যক্ষক এই আজ্ঞা দিছিল,
বোলে, "তোমালোকে ইস্রায়েলৰ ৰজাৰ বাহিৰে সৰু কি বৰ আন
কাৰো লগত যুদ্ধ নকৰিবা। ৩২ এনেতে ৰথৰ অধ্যক্ষসকলে যেতিয়া
যিহোচাফটক দেখিলে, তেতিয়া, "অৱশ্যে এওঁৱেই ইস্রায়েলৰ ৰজা,"
এই বুলি কৈ তেওঁৰ লগত যুদ্ধ কৰিবলৈ এফলীয়া হৈ গ'ল; তাতে
যিহোচাফটে আটাহ পাৰিবলৈ ধৰিলে। ৩৩ তেতিয়া ৰথৰ অধ্যক্ষসকলে
তেওঁক ইস্রায়েলৰ ৰজা নহয় বুলি জানি, তেওঁৰ পাছত খেদিবলৈ

এৰিলে। ৩৪ কিন্তু কোনো এজন লোকে আন এজন লোকক মাৰিবলৈ
ধনুৰ জোঁৰ টানি দৈৱক্ৰমে ইস্ৰায়েলৰ ৰজাৰ কবচ আৰু উদৰ ৰক্ষাৰ
জোৰাতে কাঁড় মাৰিলে। তেতিয়া আহাবে নিজৰ সাৰথিক ক'লে,
"ৰথখন ঘূৰাই সৈন্যৰ মাজৰ পৰা মোক উলিয়াই লৈ যোৱা কিয়নো
মই বৰকৈ আঘাতপ্ৰাপ্ত হ'লো।" ৩৫ সেই দিনা বৰকৈ যুদ্ধ হ'ল আৰু
অৰামীয়াসকলৰ আগত ৰজাক থিয়কৈ ৰখাই হ'ল; কিন্তু গধূলিৰ
সময়ত তেওঁৰ মৃত্যু হ'ল; তেওঁৰ ঘাৰ তেজ বৈ ৰথৰ তললৈ পৰিল। ৩৬
তাৰ পাছত সূৰ্য মাৰ যোৱা সময়ত সৈন্য সমূহৰ মাজত সকলো ফালে
এই কথা চিঞৰি কোৱা হ'ল, "প্ৰতিজনে নিজ নিজ নগৰ আৰু নিজ
দেশলৈ গুচি যাওঁক।" ৩৭ এইদৰে ৰজা আহাবৰ মৃত্যু হ'ল; তেওঁক
চমৰিয়ালৈ অনা হ'ল আৰু লোকসকলে চমৰিয়াত তেওঁক মৈদাম
দিলে।। ৩৮ পাছত লোকসকলে চমৰিয়াৰ পুখুৰীৰ পাৰত তেওঁৰ
ৰথ ধুই থাকোতে, যিহোৱাৰ বাক্য অনুসাৰে, কুকুৰবোৰে তেওঁৰ
সেই তেজ চেলেকি খালে; এইটোৱেই সেই ঠাই, য'ত বেশ্যাবোৰে
গা ধুইছিল। ৩৯ আহাবৰ অৱশিষ্ট বৃত্তান্তৰ বিষয়ে, তেওঁৰ সকলো
কাৰ্য, তেওঁ নিৰ্ম্মাণ কৰা হাতী দাঁতৰ গৃহৰ আৰু তেওঁ সজা আটাই
নগৰবোৰৰ কথা জানো ইস্ৰায়েলৰ ইতিহাস পুস্তকখনত লিখা নাই?
৪০ এইদৰে আহাব নিজ পূৰ্ব-পুৰুষসকলৰ লগত নিদ্ৰিত হোৱাত,
তেওঁৰ পুত্ৰ অহজিয়া তেওঁৰ পদত ৰজা হ'ল। ৪১ তেতিয়া ইস্ৰায়েলৰ
ৰজা আহাবৰ ৰাজত্বৰ চতুৰ্থ বছৰত, আচাৰ পুত্ৰ যিহোচাফটে যিহূদাৰ
ওপৰত ৰাজত্ব কৰিবলৈ ধৰিলে। ৪২ যিহোচাফটে পঁয়ত্ৰিশ বছৰ
বয়সত ৰাজত্ব কৰিবলৈ ধৰিলে। তেওঁ যিৰূচালেমত পঁচিশ বছৰ
ৰাজত্ব কৰিছিল। তেওঁৰ মাতৃ চিলহীৰ জীয়েক অজুবা আছিল। ৪৩
যিহোচাফটে নিজ পিতৃ আচাৰ পথত চলিলে; তেওঁ সেইবোৰৰ পৰা
নুঘূৰি, যিহোৱাৰ সাক্ষাতে সদাচৰণ কৰিলে। তথাপি পবিত্ৰ ঠাইবোৰ
গুচুউৱা হোৱা নাছিল; লোকসকলে তেতিয়াও সেই পবিত্ৰ ঠাইবোৰত
বলিদান কৰিছিল আৰু ধূপ জ্বলাইছিল। ৪৪ ইস্ৰায়েলৰ ৰজাৰ লগত
যিহোচাফট মিলেৰে আছিল। ৪৫ যিহোচাফটৰ অৱশিষ্ট বৃত্তান্তৰ
বিষয়ে, তেওঁ সিদ্ধ কৰা পৰাক্ৰম আৰু তেওঁ কৰা যুদ্ধৰ কথাৰ বিষয়ে

জানো যিহূদাৰ ৰজাসকলৰ ইতিহাস পুস্তকখনত লিখা নাই? ৪৬
তেওঁৰ পিতৃ আচাৰ ৰাজত্বৰ কালত যি নট লোকসকল অৱশিষ্ট আছিল,
তেওঁ সেই লোকসকলক দেশৰ পৰা দূৰ কৰিলে। ৪৭ সেই কালত
ইদোমৰ ৰজা নাছিল; এজন প্রতিনিধিয়ে ৰাজ্য শাসন কৰিছিল। ৪৮
পাছত যিহোচাফটে সোণৰ কাৰণে ওফীৰলৈ যাবলৈ জাহাজ সাজিলে;
কিন্তু সেই জাহাজবোৰ যাব নোৱাৰিলে, কিয়নো ইচিয়োন-গেবৰত
সেই জাহাজবোৰ ভাগি থাকিল। ৪৯ তেতিয়া আহাবৰ পুত্র অহজিয়াই
যিহোচাফটক ক'লে, “আপোনাৰ দাসবোৰৰ সৈতে মোৰ দাসবোৰ
জাহাজত যাওঁক।” কিন্তু যিহোচাফট সেই কথালৈ মান্তি নহ'ল। ৫০
পাছত যিহোচাফট তেওঁৰ ওপৰ পিতৃসকলৰ লগত নিদ্রিত হ'ল আৰু
তেওঁৰ ওপৰ-পিতৃ দায়ুদৰ নগৰত, তেওঁৰ ওপৰ-পিতৃসকলৰ লগত
তেওঁক মৈদাম দিয়া হ'ল। তেতিয়া তেওঁৰ পুত্ৰ যিহোৰাম তেওঁৰ পদত
ৰজা হ'ল। ৫১ যিহূদাৰ যিহোচাফট ৰজাৰ ৰাজত্বৰ সপ্তদশ বছৰত
আহাবৰ পুত্র অহজিয়াই চমৰিয়াত ইস্রায়েলৰ ওপৰত ৰাজত্ব কৰিবলৈ
ধৰিলে। তেওঁ ইস্রায়েলৰ ওপৰত দুবছৰ ৰাজত্ব কৰিছিল। ৫২ তেওঁ
যিহোৱাৰ সাক্ষাতে কু-আচৰণ কৰিলে আৰু তেওঁ নিজ পিতৃ-মাতৃৰ
পথত আৰু নবাটৰ পুত্র যাৰবিয়ামে যিদৰে ইস্রায়েলক পাপত লিপ্ত
কৰাইছিল, সেই পথতে চলিলে। ৫৩ তেওঁ ইস্রায়েলৰ ঈশ্বৰ যিহোৱাৰ
ক্রোধ উত্তেজিত কৰিবলৈ, তেওঁৰ পিতৃৰ সকলো কাৰ্যৰ দৰেই বালক
সেৱা কৰিলে, আৰু তাক পূজাও কৰিলে।

# ২ ৰাজাবলি

**১** আহাবৰ মৃত্যুৰ পাছত, মোৱাব দেশে ইস্ৰায়েলৰ বিৰুদ্ধে বিদ্ৰোহ-
আচৰণ কৰিলে। ২ অহজিয়াই চমৰিয়াত তেওঁৰ ঘৰৰ ওপৰ-কোঁঠালিৰ
খিড়িকিয়েদি তললৈ পৰি আঘাত পালে। তেতিয়া তেওঁ কেইজনমান
লোকক এইবুলি কৈ পঠাই দিলে যে, "তোমালোকে গৈ ইক্ৰোণৰ
দেৱতা বাল-জবুবৰ ওচৰত সোধা, এই আঘাতৰ পৰা মই সুস্থ হ'ম নে
নাই।" ৩ কিন্তু যিহোৱাৰ দূতে তিচবীয়া এলিয়াক ক'লে, "তুমি গৈ
চমৰিয়াৰ ৰজাই পঠোৱা লোকসকলৰ লগত সাক্ষাত কৰি তেওঁলোকক
কোৱা, 'ইস্ৰায়েল দেশত জানো ঈশ্বৰ নাই যে, তোমালোকে ইক্ৰোণৰ
বাল-জবুবৰ গুৰিত সুধিবলৈ গৈছা? ৪ সেয়ে যিহোৱাই কৈছে, "তুমি
যি শয্যাত পৰি আছা, তাৰ পৰা তুমি পুনৰ নুঠিবা। তোমাৰ অৱেশ্যেই
মৃত্যু হ'ব'।" এলিয়াই সেই লোকসকলক লগ ধৰিলে আৰু এই দৰে
কৈ গুছি গ'ল। ৫ পাছত সেই লোকসকল ৰজাৰ ওচৰলৈ ঘূৰি অহাৰ
পাছত তেওঁ তেওঁলোকক সুধিলে, "তোমালোক কিয় উভটি আহিলা?"
৬ উত্তৰত তেওঁলোকে ক'লে, "এজন মানুহে আমাৰ লগত সাক্ষাত কৰি
ক'লে, 'যি জনে আপোনালোকক পঠিয়াইছে, আপোনালোক যেন সেই
ৰজাৰ ওচৰলৈ উভটি গৈ তেওঁক জনায়, "যিহোৱাই কৈছে, 'ইস্ৰায়েল
দেশত জানো ঈশ্বৰ নাই, আপুনি যে ইক্ৰোণৰ দেৱতা বাল-জবুবৰ
গুৰিত সুধিবৰ কাৰণে মানুহ পঠিয়াইছে? সেয়ে আপুনি যি শয্যাত পৰি
আছে, তাৰ পৰা পুনৰ নুঠিব, কিন্তু অৱশ্যেই মৃত্যু হ'ব।'" ৭ ৰজাই
তেওঁলোকক সুধিলে, "যি মানুহজনে তোমালোকৰ লগত সাক্ষাত কৰি
এই কথা ক'লে, তেওঁ বাৰু দেখাত কেনেকুৱা আছিল?" ৮ তেওঁলোকে
উত্তৰ দিলে, "তেওঁ জন্তুৰ নোমেৰে তৈয়াৰী পোছাক পিন্ধিছিল আৰু
তেওঁৰ কঁকালত আছিল চামৰাৰ কটিবন্ধন।" ৰজাই ক'লে, "তেৱেঁ হৈছে
তিচবীয়া এলিয়া।" ৯ তাৰ পাছত ৰজাই এজন সেনাপতি আৰু তেওঁৰ
পঞ্চাশজন সৈন্যক এলিয়াৰ ওচৰলৈ পঠাই দিলে। এলিয়া সেই সময়ত
পাহাৰৰ ওপৰত বহি আছিল। সেনাপতিজন এলিয়াৰ ওচৰলৈ উঠি গৈ
ক'লে, "হে ঈশ্বৰৰ লোক, ৰজাই আপোনাক নামি আহিবলৈ কৈছে।"
১০ এলিয়াই সেনাপতিজনক ক'লে, "মই যদি ঈশ্বৰৰ লোক হওঁ,

তেন্তে আকাশৰ পৰা জুই নামি আহি যেন আপোনাক আৰু আপোনাৰ
পঞ্চাশজন সৈন্যক পুৰি গ্ৰাস কৰে।” তেতিয়া আকাশৰ পৰা জুই নামি
আহি সেই সেনাপতি আৰু তেওঁৰ পঞ্চাশজন সৈন্যক গ্ৰাস কৰিলে।
১১ ৰজাই আকৌ এজন সেনাপতি আৰু তেওঁৰ পঞ্চাশজন সৈন্যক
এলিয়াৰ ওচৰলৈ পঠালে। সেই সেনাপতিয়েও এলিয়াক ক’লে, “হে
ঈশ্বৰৰ লোক, ৰজাই আপোনাক এতিয়াই নামি আহিবলৈ কৈছে।” ১২
এলিয়াই উত্তৰ দি ক’লে, “মই যদি ঈশ্বৰৰ লোক হওঁ, তেন্তে আকাশৰ
পৰা জুই নামি আহি যেন আপোনাক আৰু আপোনাৰ পঞ্চাশজন
সৈন্যক পুৰি গ্ৰাস কৰে।” তেতিয়া পুনৰাই আকাশৰ পৰা ঈশ্বৰৰ জুই
নামি আহি তেওঁক আৰু তেওঁৰ পঞ্চাশজন সৈন্যক গ্ৰাস কৰিলে। ১৩
তাৰ পাছত পুনৰ ৰজাই তৃতীয়বাৰলৈ এজন সেনাপতি আৰু তেওঁৰ
পঞ্চাশজন সৈন্যক পঠালে। এই তৃতীয় সেনাপতিয়ে ওপৰলৈ উঠি
গৈ এলিয়াৰ সন্মুখত আঠুকাঢ়ি মিনতি কৰিলে, “হে ঈশ্বৰৰ লোক,
আপোনাৰ দৃষ্টিত মোৰ আৰু আপোনাৰ এই পঞ্চাশজন দাসৰ জীৱন
যেন বহুমূলীয়াৰূপে গ্ৰাহ্য হয়। ১৪ চাওক, আকাশৰ পৰা জুই নামি
আগেয়ে অহা দুজন সেনাপতি আৰু তেওঁলোকৰ সকলো সৈন্যকে
পুৰি গ্ৰাস কৰিলে; কিন্তু এইবাৰ আপোনাৰ দৃষ্টিত মোৰ প্ৰাণ বহুমূল্য
হওক।” ১৫ তেতিয়া যিহোৱাৰ দূতে এলিয়াক ক’লে, “তুমি তেওঁৰ
লগত নামি যোৱা, তেওঁক ভয় নকৰিবা।” তাতে এলিয়াই তেওঁৰ লগত
নামি আহি ৰজাৰ ওচৰলৈ গ’ল। ১৬ তেওঁ ৰজাক ক’লে, “যিহোৱাই
এই কথা কৈছে, ‘আপুনি ইক্ৰোণৰ দেৱতা বাল-জবুবৰ ওচৰলৈ লোক
পঠাইছিল। ইস্ৰায়েল দেশত জানো সুধিবৰ বাবে ঈশ্বৰ নাই? এনে
কাম কৰাৰ কাৰণে যি শয্যাত আপুনি পৰি আছে, সেই শয্যাৰ পৰা
আৰু উঠিব নোৱাৰিব; কিন্তু অৱশ্যেই মৃত্যু হ’ব’।” ১৭ যিহোৱাই
এলিয়াৰ যোগেদি যিদৰে কৈছিল, সেইদৰে ৰজা অহজিয়াৰ মৃত্যু হ’ল।
অহজিয়াৰ কোনো পুত্ৰ সন্তান নথকাৰ বাবে তেওঁৰ ঠাইত যোৰাম
ইস্ৰায়েলৰ ৰজা হ’ল। যিহূদাৰ ৰজা যিহোচাফটৰ পুত্ৰ যিহোৰামৰ
ৰাজত্ব কালৰ দ্বিতীয় বছৰত যোৰাম ইস্ৰায়েলৰ ৰজা হৈছিল। ১৮

অহজিয়াৰ আন আন সকলো কৰ্মৰ বৃত্তান্ত ইস্ৰায়েলৰ ৰজাসকলৰ
“ইতিহাস” পুস্তকখনত জানো লিখা নাই?

২ যিহোৱাই যেতিয়া এলিয়াক ঘূৰ্ণিবতাহৰ দ্বাৰাই স্বৰ্গলৈ তুলি নিব
বিচাৰিছিল, তেতিয়া এলিয়া আৰু ইলীচাই গিলগলৰ পৰা ওলাই
গৈছিল। ২ এলিয়াই ইলীচাক ক'লে, “তুমি ইয়াতে থাকা; যিহোৱাই
মোক বৈৎএললৈ পঠাইছে।” কিন্তু ইলীচাই তেওঁক ক'লে, “যিহোৱাৰ
শপত আৰু আপোনাৰ প্ৰাণৰ শপত, মই আপোনাক এৰি নাযাওঁ।”
তাতে তেওঁলোক বৈৎএললৈ নামি গ'ল। ৩ বৈৎএলত থকা শিষ্য
ভাববাদীসকলৰ এটা দলে ইলীচাৰ ওচৰলৈ আহি ক'লে, “যিহোৱাই
যে আজি আপোনাৰ গুৰুক আপোনাৰ ওচৰৰ পৰা লৈ যাব, সেই
বিষয়ে আপুনি জানেনে?” ইলীচাই উত্তৰ দিলে, “হয়, মই জানো;
কিন্তু তোমালোকে এই বিষয়ে একোকে নকবা।” ৪ তাৰ পাছত
এলিয়াই তেওঁক ক'লে, “ইলীচা, তুমি ইয়াতে থাকা; কিয়নো যিহোৱাই
মোক যিৰীহোলৈ পঠাইছে।” কিন্তু ইলীচাই ক'লে, “যিহোৱাৰ শপত
আৰু আপোনাৰ প্ৰাণৰ শপত, মই আপোনাক এৰি নাযাওঁ।” তাতে
তেওঁলোক যিৰীহোলৈ গ'ল। ৫ যিৰীহোত থকা শিষ্য ভাববাদী ইলীচাৰ
ওচৰলৈ আহি ক'লে, “যিহোৱাই যে আজি আপোনাৰ গুৰুক আপোনাৰ
ওচৰৰ পৰা লৈ যাব, সেই বিষয়ে আপুনি জানেনে?” ইলীচাই উত্তৰ
দিলে, “হয়, মই জানো; কিন্তু এই বিষয়ে তোমালোকে একোকে
নকবা।” ৬ তাৰ পাছত এলিয়াই ইলীচাক ক'লে, “তুমি ইয়াতে থাকা;
কিয়নো যিহোৱাই মোক যৰ্দ্দনলৈ পঠাইছে।” ইলীচাই উত্তৰ দিলে,
“যিহোৱাৰ শপত আৰু আপোনাৰ প্ৰাণৰ শপত, মই আপোনাক এৰি
নাযাওঁ।” সেয়ে তেওঁলোক দুয়ো যাবলৈ ধৰিলে। ৭ এলিয়া আৰু ইলীচা
দুয়ো যৰ্দ্দন নদীৰ পাৰত গৈ ৰ'ল আৰু তেওঁলোকৰ পৰা কিছু দূৰৈত
পঞ্চাশজন শিষ্য ভাববাদী আহি থিয় হ'ল। ৮ এলিয়াই নিজৰ গাৰ
চাদৰখন নুৰিয়াই লৈ যৰ্দনৰ পানীত কোবালে; তাতে পানী দুয়োফালে
দুভাগ হৈ গ'ল আৰু তেওঁলোক দুজন শুকান মাটিৰ ওপৰেদি পাৰ
হৈ গ'ল। ৯ পাৰ হৈ যোৱাৰ পাছত এলিয়াই ইলীচাক ক'লে, “মোক
কোৱা, তোমাৰ ওচৰৰ পৰা মোক তুলি নিয়াৰ আগেয়ে মই তোমাৰ

কাৰণে কি কৰিম?” ইলীচাই উত্তৰত ক’লে, “মিনতি কৰোঁ, আপোনাৰ
আত্মাৰ ক্ষমতাৰ দুগুণ আত্মা যেন মই পাওঁ।” ১০ এলিয়াই ক’লে,
“তুমি এক জটিল বিষয় বিচাৰিলা। তথাপিও তোমাৰ ওচৰৰ পৰা
মোক লৈ যোৱাৰ সময়ত যদি তুমি মোক দেখা পোৱা, তেন্তে তুমি
তাক পাবা; যদি দেখা নোপোৱা, তেন্তে নাপাবা।” ১১ তেওঁলোকে
এইদৰে কথা পাতি গৈ থাকোঁতেই, হঠাৎ এখন অগ্নিময় ৰথ আৰু
অগ্নিময় কিছুমান ঘোঁৰা আহি তেওঁলোক দুজনক পৃথক কৰি দিলে,
আৰু এক ঘূর্ণিবতাহত এলিয়া স্বৰ্গলৈ উঠি গুছি গ’ল। ১২ ইলীচাই
তাকে দেখি চিঞঁৰি উঠিল, “মোৰ পিতৃ, হে মোৰ পিতৃ, ইস্ৰায়েলৰ ৰথ
আৰু অশ্বাৰোহীসকল!” তাৰ পিছত ইলীচাই এলিয়াক পুনৰ দেখা
নাপালে। তেতিয়া তেওঁ নিজৰ কাপোৰ ধৰি ফালি দুডোখৰ কৰিলে।
১৩ তাৰ পাছত এলিয়াৰ গাৰ পৰা পৰি যোৱা চাদৰখন তুলি লৈ তেওঁ
উলটি আহি যৰ্দ্দনৰ তীৰত থিয় হ’ল। ১৪ এলিয়াৰ গাৰ পৰা পৰি যোৱা
সেই চাদৰখনেৰে তেওঁ পানীত আঘাত কৰি ক’লে, “এলিয়াৰ ঈশ্বৰ
যিহোৱা ক’ত?” যেতিয়া তেওঁ পানীত আঘাত কৰিলে, তেতিয়া পানী
দুয়োকাষে দুভাগ হ’ল আৰু ইলীচা পাৰ হৈ গ’ল। ১৫ যিৰীহোৰ শিষ্য
ভাববাদীসকলৰ দলটোৱে যেতিয়া ইলীচাক দেখা পালে, তেতিয়া
তেওঁলোকে ক’লে, “এলিয়াৰ আত্মা ইলীচাৰ ওপৰত স্থিতি লৈছে!”
সেইবাবে, তেওঁলোকে ইলীচাক সাক্ষাৎ কৰিবলৈ আহিল আৰু তেওঁৰ
সন্মুখত মাটিত উবুৰি হৈ পৰি প্ৰণিপাত কৰিলে। ১৬ তেওঁলোকে
তেওঁক ক’লে, “চাওক, আপোনাৰ দাসবোৰৰ মাজত ইয়াত পঞ্চাশজন
শক্তিশালী লোক আছে। বিনয় কৰোঁ, তেওঁলোকক আপোনাৰ গুৰুক
বিচাৰি যাবলৈ অনুমতি দিয়ক; হয়তো যিহোৱাৰ আত্মাই তেওঁক তুলি
লৈ গৈ কোনো পৰ্ব্বত নাইবা কোনো উপত্যকাত পেলাই গৈছে।”
কিন্তু ইলীচাই ক’লে, “নহয়! তেওঁলোকৰ কাকো পঠাব নালাগে।” ১৭
কিন্তু ভাৱবাদীসকলৰ শিষ্যৰ দলটোৱে ইলীচাক মিনতি কৰি থকাত,
তেওঁ লাজ পাই ক’লে, “ঠিক আছে, পঠাই দিয়া।” তাতে তেওঁলোকে
পঞ্চাশজন লোকক পঠাই দিলে আৰু সেই পঞ্চাশজনে তিনি দিন ধৰি
বিচৰা পাছতো এলিয়াক নাপালে। ১৮ ইলীচা যিৰীহোত থকাৰ সময়তে

তেওঁলোক তেওঁৰ ওচৰলৈ উলটি আহিল; ইলীচাই তেওঁলোকক ক'লে,
“মই জানো তোমালোকক কোৱা নাছিলো, 'নাযাবা বুলি'?” ১৯ এদিন
নগৰৰ লোকসকলে ইলীচাক ক'লে, “মহাশয়, আপুনিতো দেখিছেই যে
এক সুন্দৰ অৱস্থানত এই নগৰখন আছে। কিন্তু ইয়াৰ পানী বিশুদ্ধ
নহয় আৰু ভূমিয়েও ভাল শস্য উৎপন্ন নকৰে।” ২০ ইলীচাই ক'লে,
“আপোনালোকে এটা নতুন পাত্ৰত অলপ নিমখ লৈ মোৰ ওচৰলৈ
আহক।” লোকসকলেও সেইদৰেই ইলীচাৰ ওচৰলৈ আনি দিলে। ২১
তেতিয়া ইলীচাই সেইখিনি লৈ পানীৰ ভুমুকৰ কাষলৈ ওলাই গ'ল
আৰু তাত লোণখিনি পেলাই দি ক'লে, “যিহোৱাই এইদৰে কৈছে,
'মই এই পানী বিশুদ্ধ কৰিলোঁ; এতিয়াৰ পৰা এই পানী খাই কাৰো
মৃত্যু নহ'ব আৰু ভূমিৰ উৎপাদন শস্যও নষ্ট নহ'ব'।” ২২ এনেদৰে
ইলীচাৰ কথামতে সেই পানী বিশুদ্ধ হৈ আজি পর্যন্ত তেনেদৰে আছে।
২৩ পাছত ইলীচা তাৰ পৰা বৈৎএললৈ গ'ল। তেওঁ ওপৰলৈ উঠি গৈ
থাকোতে বাটত কিছুমান সৰু ল'ৰাই নগৰৰ পৰা ওলাই আহি তেওঁক
বিদ্রূপ কৰি ক'বলৈ ধৰিলে, “ঐ তপামূৰা, সোনকালে সোনকালে উঠি
যা; তপামূৰা!” ২৪ তেতিয়া ইলীচাই পাছফালে ঘূৰি সিহঁতৰ ফালে চাই
যিহোৱাৰ নামেৰে সিহঁতক শাও দিলে; তেতিয়া বননিৰ পৰা হঠাৎ
দুজনী ভালুক ওলাই আহিল আৰু সিহঁতৰ মাজৰ বিয়াল্লিশটা ল'ৰাক
ক্ষত-বিক্ষত কৰিলে। ২৫ তাৰ পাছত তেওঁ সেই ঠাইৰ পৰা কৰ্মিল
পৰ্ব্বতলৈ গ'ল, আৰু তাৰ পৰা চমৰিয়ালৈ উভটি গ'ল।

৩ যিহূদাত যিহোচাফটৰ ৰাজত্বৰ ওঠৰ বছৰত ইস্ৰায়েলৰ ৰজা
আহাবৰ পুত্ৰ যোৰাম ৰজা হ'ল। তেওঁ চমৰিয়াত থাকি বাৰ বছৰ ৰাজত্ব
কৰিলে। ২ যিহোৱাৰ দৃষ্টিত তেওঁ কু-আচৰণ কৰিলে, কিন্তু তেওঁ তেওঁৰ
পিতৃ-মাতৃৰ দৰে কৰা নাছিল; কিয়নো তেওঁৰ পিতৃয়ে বাল দেৱতাৰ
পূজাৰ কাৰণে যি স্তম্ভ নিৰ্ম্মাণ কৰিছিল, তাক তেওঁ দূৰ কৰি দিছিল। ৩
তথাপি নবাটৰ পুত্ৰ যাৰবিয়ামে যি সকলো পাপ কাৰ্য কৰি ইস্ৰায়েলক
পাপ কৰিবলৈ বাধ্য কৰাইছিল, সেই পাপবোৰত তেওঁ আসক্ত হৈ
থাকিল; তেওঁ সেইবোৰ বন্ধ নকৰিলে। ৪ মোৱাবৰ ৰজা মেচাই মেৰ-
ছাগ পুহি সেইবোৰৰ বংশ বৃদ্ধি কৰিছিল। তেওঁ ইস্ৰায়েলৰ ৰজাক

কৰ হিচাবে এক লাখ মেৰ-ছাগ পোৱালি আৰু এক লাখ মতা মেৰ-
ছাগৰ ঊল দিব লাগিছিল। ৫ কিন্তু আহাবৰ মৃত্যুৰ পাছত, মোৱাবৰ
ৰজাই ইস্ৰায়েলৰ ৰজাৰ বিৰুদ্ধে বিদ্ৰোহ কৰিলে। ৬ সেয়ে ইস্ৰায়েলৰ
ৰজা যোৰামে তেতিয়া চমৰিয়াৰ পৰা ওলাই গৈ ইস্ৰায়েলীয়াসকলক
যুদ্ধৰ কাৰণে একগোট কৰিলে। ৭ যিহূদাৰ ৰজা যিহোচাফটৰ ওচৰলৈ
তেওঁ বাৰ্তা পঠাই জনালে যে, "মোৱাবৰ ৰজাই মোৰ বিৰুদ্ধে বিদ্ৰোহ
কৰিছে; আপুনি মোৱাবৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ মোৰ লগত যাব নে?"
যিহোচাফটে ক'লে, "মই আপোনাৰ লগত যাম। মই আপোনাৰ দৰেই
হওঁ; মোৰ লোক আৰু ঘোঁৰাবোৰ যেনে আপোনাৰ লোকসকল আৰু
ঘোঁৰাবোৰো তেনে।" ৮ তাৰ পাছত ৰজা যোৰামে সুধিলে, "আমি
কোন বাটেৰে গৈ আক্ৰমণ কৰিম?" তাতে তেওঁ ক'লে, "ইদোমৰ
মৰুপ্ৰান্তৰৰ মাজেদি।" ৯ সেইদৰে, যিহূদাৰ ৰজা আৰু ইদোমৰ ৰজাৰ
সৈতে ইস্ৰায়েলৰ ৰজা ওলাই গ'ল। তেওঁলোকে সাত দিন ধৰি অৰ্ধবৃত্ত
হৈ ঘূৰি আগবাঢ়ি গ'ল। তেতিয়া সৈন্যসকলৰ কাৰণে আৰু লগত নিয়া
পশুবোৰৰ কাৰণে তেওঁলোকে পানী বিচাৰি পোৱা নাছিল। ১০ তাকে
দেখি ইস্ৰায়েলৰ ৰজাই ক'লে, "হায় হায়! মোৱাবৰ হাতত পৰাজিত
হ'বলৈকে যিহোৱাই আমাৰ এই তিনিজন ৰজাক একত্ৰিত কৰি মাতি
আনিলে নেকি?" ১১ কিন্তু যিহোচাফটে ক'লে, "ইয়াত যিহোৱাৰ
কোনো ভাববাদী নাই নেকি যিজনৰ যোগেদি আমি যিহোৱাৰ ওচৰত
সুধিব পাৰিম?" তাতে ইস্ৰায়েলৰ ৰজাৰ দাসবোৰৰ এজনে ক'লে,
"চাফটৰ পুতেক ইলীচা ইয়াত আছে। তেওঁ এলিয়াৰ হাতত পানী
বাকী দিয়া সেৱাকাৰী আছিল।" ১২ যিহোচাফটে ক'লে, "যিহোৱাৰ
বাক্য তেওঁৰ ওচৰত আছে।" তাতে ইস্ৰায়েলৰ ৰজা, ইদোমৰ ৰজা
আৰু যিহোচাফট ইলীচাৰ ওচৰলৈ নামি গ'ল। ১৩ ইলীচাই ইস্ৰায়েলৰ
ৰজাক ক'লে, "আপোনাৰ কাৰণে মই কি কৰিব পাৰোঁ? আপুনি
আপোনাৰ পিতৃ আৰু মাতৃৰ ভাববাদীসকলৰ ওচৰলৈ যাওঁক।" তেতিয়া
ইস্ৰায়েলৰ ৰজাই তেওঁক ক'লে, "নহয়, আমি নাযাওঁ, কাৰণ মোৱাবৰ
হাতত পৰাজিত হ'বলৈ যিহোৱাই আমাৰ তিনিওজন ৰজাক একত্ৰিত
কৰি মাতি আনিলে।" ১৪ ইলীচাই ক'লে, "যিজনাৰ সন্মুখত থাকি

মই সেৱা কৰিবলৈ প্ৰস্তুত, বাহিনীসকলৰ সেই জীৱিত যিহোৱাৰ
শপত যে, যিহূদাৰ ৰজা যিহোচাফট যদি ইয়াত নাথাকিলহেঁতেন, মই
আপোনালৈ মনোযোগ নিদিলোহেঁতেন, এনেকি মই আপোনাৰ ফালে
নাপালোহেঁতেন। ১৫ কিন্তু এতিয়া মোৰ ওচৰলৈ এজন বীণা বজোৱা
লোকক লৈ আনক।" লোকজনে যেতিয়া বীণা বজাইছিল, তেতিয়া
যিহোৱাৰ হাত ইলীচাৰ ওপৰলৈ আহিল। ১৬ তাতে তেওঁ ক'লে,
"যিহোৱাই এই কথা কৈছে: 'এই শুকান নদীৰ উপত্যকাটো খান্দি খাল
তৈয়াৰ কৰক।' ১৭ কিয়নো যিহোৱাই এই কথা কৈছে, 'আপোনালোকে
কোনো বতাহ বা বৰষুণ দেখা নাপালেও, এই নদীৰ উপত্যকা পানীৰে
পৰিপূৰ্ণ হ'ব আৰু আপোনালোকে পানী খাব পাৰিব; আপোনালোকৰ
পশুধন আৰু আন আন জন্তুবোৰেও পানী খাব।' ১৮ যিহোৱাৰ দৃষ্টিত
ই অতি সৰু কথা; তেওঁ মোৱাবীয়াসকলৰ ওপৰত আপোনালোকক
বিজয়ী কৰিব। ১৯ গড়েৰে আবৃত প্ৰত্যেকখন নগৰ আৰু উত্তম নগৰ
আপোনালোকে আক্ৰমণ কৰিব; আপোনালোকে প্ৰত্যেকটো উত্তম
গছ কাটি পেলাব, পানীৰ সকলো ভুমুক বন্ধ কৰি দিব আৰু সকলো
উত্তম পথাৰ শিলেৰে নষ্ট কৰি পেলাব।" ২০ পাছদিনা ৰাতিপুৱা
বলি উৎসৰ্গৰ সময়ত ইদোম দেশৰ ফালৰ পৰা পানীবৈ আহিল।
পানীৰে দেশখন ভৰি পৰিল। ২১ ইতিমধ্যে মোৱাবীয়াসকলে শুনিছিল
যে, তেওঁলোকৰ বিৰুদ্ধে সেই তিনিজন ৰজা যুদ্ধ কৰিবলৈ আহিছে।
তেতিয়া যুদ্ধৰ সাজ পিন্ধি যুদ্ধ কৰিব পৰা সকলো একগোট হৈ দেশৰ
সীমাত উপস্থিত হ'ল। ২২ অতি ৰাতিপুৱাতে যেতিয়া তেওঁলোকে
সাৰ পালে, তেতিয়া সূৰ্যৰ ৰশ্মি পানীৰ ওপৰত প্ৰতিফলিত হৈছিল।
মোৱাবীয়াসকলে তেওঁলোকৰ ওচৰত সেই পানী তেজৰ দৰে ৰঙা
যেন দেখিলে। ২৩ তেওঁলোকে আচৰিত হৈ ক'লে, "এই চাওকচোন,
চাওঁক, এইয়া তেজ! নিশ্চয়ে, সেই ৰজাসকলে এজনে আন জনক হত্যা
কৰিলে আৰু তেওঁলোকৰ মৃত্যু হ'ল! গতিকে হে মোৱাবীয়াসকল ব'লা,
এতিয়া আমি গৈ লুট কৰোঁহক!" ২৪ কিন্তু মোৱাবীয়াসকল ইস্ৰায়েলৰ
ছাউনিৰ ওচৰ আহি পোৱাত ইস্ৰায়েলীয়াসকলে অতৰ্কিতে ওলাই গৈ
মোৱাবীয়াসকলক আক্ৰমণ কৰিলে আৰু মোৱাবীয়াসকল ইস্ৰায়েলৰ

সন্মুখৰ পৰা পলাই গ’ল। ইস্ৰায়েলৰ সৈন্যসকলে মোৱাবীয়াসকলক
বধ কৰি কৰি তেওঁলোকৰ দেশত সোমাই পৰিল। ২৫ তেওঁলোকে
নগৰবোৰ ধ্বংস কৰিলে আৰু প্ৰত্যেকে শিল দলিয়াই সকলো সাৰুৱা
পথাৰবোৰ শিলাময় কৰিলে। তেওঁলোকে পানীৰ ভুমুকবোৰ বন্ধ কৰি
দিলে আৰু উত্তম উত্তম গছবোৰ কাটি পেলালে। কেৱলমাত্ৰ কীৰ-
হেৰচত নগৰখনৰ শিলবোৰ য’তে আছিল ত’তে এৰি হ’ল। কিন্তু ফিঙ্গা
অস্ত্ৰধাৰী সৈন্যসকলে নগৰখন আক্ৰমণ কৰিলে। ২৬ পাছত মোৱাবৰ
ৰজা মেচেই যেতিয়া দেখিলে যে তেওঁ যুদ্ধত পৰাজয় হ’ব, তেতিয়া
তেওঁ সৈন্যসকলৰ মাজেদিয়েই ইদোমৰ ৰজাৰ ওচৰলৈ যাবলৈ নিজৰ
লগত সাতশ তৰোৱালধাৰী সেনা ল’লে; কিন্তু তেওঁলোকে নোৱাৰিলে।
২৭ তাৰ পাছত তেওঁ নিজৰ জ্যেষ্ঠপুত্ৰ, যিজন তেওঁৰ পাছত ৰাজপাটৰ
উত্তৰাধিকাৰী, তেওঁক লৈ গৈ নগৰৰ দেৱালৰ ওপৰত হোম-বলি
উৎসৰ্গ কৰিলে আৰু ইস্ৰায়েলৰ বিৰুদ্ধে অতিশয় ক্ৰোধিত হ’ল। তাতে
ইস্ৰায়েলীয়া সৈন্যসকলে ৰজা মেচাক এৰি দি নিজ দেশলৈ ওভটি
গ’ল।

**4** এদিন শিষ্য ভাববাদী দ’লৰ এজনৰ ভাৰ্য্যাই কান্দি কান্দি ইলীচাৰ
ওচৰলৈ আহি ক’লে, “আপোনাৰ দাস মোৰ স্বামীৰ মৃত্যু হ’ল আৰু
আপুনি জানে যে, আপোনাৰ দাস এজন যিহোৱাৰ ভয়কাৰী লোক
আছিল। এতিয়া মহাজনে মোৰ পুত্ৰ দুটিক তেওঁৰ দাস কৰিবৰ কাৰণে
লৈ যাবলৈ আহিছে।” ২ ইলীচাই তেওঁক সুধিলে, “মইনো তোমাক
কিদৰে সহায় কৰিব পাৰোঁ? বাৰু, মোক কোৱাচোন, তোমাৰ ঘৰত কি
আছে?” মহিলাগৰাকীয়ে ক’লে, “এবাটি তেলৰ বাহিৰে আপোনাৰ
দাসীৰ ঘৰত একোৱেই নাই।” ৩ তেতিয়া ইলীচাই ক’লে, “তুমি
তোমাৰ সকলো প্ৰতিবেশীসকলৰ পৰা কিছুমান খালী পাত্ৰ ধাৰলৈ
আনিবলৈ ওলাই যোৱা। যিমান সম্ভৱ হয়, সিমান বেছিকৈ আনিবা।
৪ তাৰ পাছত তুমি তোমাৰ ল’ৰা দুজনৰে সৈতে ঘৰৰ ভিতৰত
সোমাই দুৱাৰ বন্ধ কৰি দিবা আৰু সেই পাত্ৰবোৰত তেল ঢালিবা।
এটা এটাকৈ পাত্ৰবোৰ ভৰি পৰাৰ পাছত একাষৰিয়াকৈ থবা।” ৫
তেতিয়া মহিলাগৰাকী ইলীচাৰ ওচৰৰ পৰা গুছি গ’ল; তেওঁ নিজৰ

ল’ৰা দুটিক লৈ ঘৰত সোমাই দুৱাৰ বন্ধ কৰি দিলে। ল’ৰা দুজনে
তেওঁৰ ওচৰলৈ পাত্ৰবোৰ আনিবলৈ ধৰিলে আৰু তেওঁ সেইবোৰত
তেল ঢালিয়েই থাকিল। ৬ সকলোবোৰ পাত্ৰ ভৰাৰ পাছত তেওঁ এজন
পুতেকক ক’লে, “আন এটা পাত্ৰ লৈ আনা।” ল’ৰাজনে ক’লে, “আৰু
একো পাত্ৰই বাকী নাই।” তেতিয়া তেল পৰা বন্ধ হৈ গ’ল। ৭ তাৰ
পাছত মহিলাগৰাকীয়ে আহি ঈশ্বৰৰ লোকৰ আগত সকলোবোৰ কথা
ক’লে; তেওঁ ক’লে, “যোৱা, সেই তেল বেচি তোমাৰ ধাৰ পৰিশোধ
কৰা আৰু অৱশিষ্ট যি থাকিব, তাৰে তোমাৰ আৰু ল’ৰাহঁতৰ জীৱিকা
চলাবা।” ৮ এদিন ইলীচাই খোজ কাঢ়ি চুনেমলৈ গৈছিল। সেই ঠাইত
বাস কৰা এগৰাকী ধনী মহিলাই তেওঁক নিজৰ ঘৰত আহাৰ গ্ৰহণ
কৰিবলৈ বৰকৈ মিনতি কৰাত, তেওঁ তাত আহাৰ কৰিলে। পাছত
তেওঁ যিমানবাৰ চুনেমৰ মাজেদি যায়, সিমানবাৰ সেই ঘৰত খোৱা-
বোৱা কৰিবলৈ সোমায়। ৯ মহিলাগৰাকীয়ে তেওঁৰ স্বামীক ক’লে,
“এই যি লোকজন প্ৰায়ে আমাৰ বাটেদি অহা-যোৱা কৰে, মই এতিয়া
বুজিব পাৰিছোঁ যে, তেওঁ ঈশ্বৰৰ এজন পবিত্ৰ লোক। ১০ আহঁক না,
আমি ছাদৰ ওপৰতে এটি সৰু কোঁঠালি সাজি তাৰ ভিতৰত তেওঁৰ
কাৰণে এখন বিচনা, মেজ, চকী আৰু এটা চাকি ৰাখি থওঁ; তাতে
তেওঁ আমাৰ ইয়ালৈ আহিলে, সেই কোঁঠালিত থাকিব পাৰিব।” ১১
এদিন ইলীচা যেতিয়া পুনৰ আহিছিল, তেওঁ সেই ওপৰ কোঁঠালিত গৈ
বিশ্ৰাম লৈছিল। ১২ তেওঁ তেওঁৰ দাস গেহজীক ক’লে, “তুমি সেই
চূনেমীয়া মহিলাগৰাকীক মাতা।” তাতে দাসজনে মহিলাগৰাকীক
মাতিলে আৰু মহিলাগৰাকী আহি তেওঁৰ আগত থিয় হ’ল। ১৩ তেতিয়া
ইলীচাই তেওঁৰ দাসক ক’লে, “তেওঁক কোৱা, ‘আপুনি আমাৰ কাৰণে
এই সকলো কষ্ট কৰিলে, এতিয়া আপোনাৰ কাৰণে আমি কি কৰিব
পাৰোঁ? ৰজা বা প্ৰধান সেনাধ্যক্ষৰ ওচৰত আমি আপোনাৰ কাৰণে
কিবা অনুৰোধ কৰিমনে?’” উত্তৰত মহিলাগৰাকীয়ে ক’লে, “মই
মোৰ নিজৰ পৰিয়ালৰ মাজত ভালে আছোঁ।” ১৪ ইলীচাই ক’লে,
“তেন্তে আমি তেওঁৰ কাৰণে কি কৰিব পাৰোঁ?” গেহজীয়ে উত্তৰ
দিলে, “অৱশ্যে, তেওঁৰ কোনো পুত্ৰ নাই আৰু তেওঁৰ স্বামীও বৃদ্ধ

হ'ল।" ১৫ ইলীচাই ক'লে, "তেওঁক মাতি আনা।" তেতিয়া গেহজীয়ে
চুনেমীয়ানীক মাতি আনিলে আৰু তেওঁ আহি দুৱাৰ মুখত থিয় হ'ল।
১৬ ইলীচাই ক'লে, "অহা বছৰৰ এই সময়ত আপুনি কোলাত এটি পুত্ৰ
সন্তান ল'বলৈ পাব।" মহিলাগৰাকীয়ে ক'লে, "হে মোৰ প্ৰভু, হে ঈশ্বৰৰ
লোক, আপোনাৰ দাসীক মিছা আশা নিদিব।" ১৭ পাছত মহিলাগৰাকী
গৰ্ভৱতী হ'ল আৰু ইলীচাই যেনেকৈ কৈছিল ঠিক সেইদৰেই পিছৰ
বছৰৰ একে সময়ত তেওঁ এটি পুত্ৰ প্ৰসৱ কৰিলে। ১৮ ল'ৰাটি ডাঙৰ
হ'বলৈ ধৰিলে। এদিন তেওঁৰ পিতৃ যেতিয়া শস্য দোৱা লোকসকলৰ
লগত আছিল, তেতিয়া সি তাৰ বাপেকৰ ওচৰলৈ গ'ল। ১৯ ল'ৰাটিয়ে
বাপেকক ক'লে, "ওহ! মোৰ মূৰটো, মোৰ মূৰটো।" বাপেকে এজন
দাসক ক'লে, "ইয়াক দাঙি মাকৰ ওচৰলৈ লৈ ব'লা।" ২০ সেই দাসে
যেতিয়া তাক দাঙি আনি মাকৰ ওচৰত দিলেহি, সি দুপৰীয়া পৰ্যন্ত
মাকৰ কোলাতে বহি থাকিল আৰু তাৰ পাছত তাৰ মৃত্যু হ'ল। ২১
তেতিয়া মাকে ল'ৰাটিক ওপৰলৈ নি ঈশ্বৰৰ লোকজনৰ বিচনাত শুৱাই
থলে। তাৰ পাছত দুৱাৰ বন্ধ কৰি তেওঁ বাহিৰলৈ ওলাই আহিল। ২২
তেওঁ গিৰীয়েকক মাতি ক'লে, "আপুনি এতিয়াই এজন দাস আৰু এটা
গাধ মোৰ ওচৰলৈ পঠাই দিয়ক। মই তৎক্ষণাত ঈশ্বৰৰ লোকজনৰ
ওচৰলৈ গৈ আকৌ ঘূৰি আহিম।" ২৩ তেওঁৰ গিৰিয়েকে ক'লে, "তুমি
তেওঁৰ ওচৰলৈ আজিয়েই কিয় যাব বিচাৰিছা? আজিটো ন-জোন
নহয়, বিশ্ৰামবাৰও নহয়।" তেওঁ উত্তৰ দি'লে, "তাতে ভালেই হ'ব।"
২৪ তাৰ পাছত তেওঁ গাধৰ ওপৰত আসন সজাই নিজৰ দাসক ক'লে,
"সোনকালে চলাই নিয়া; মই নকওঁমানে তুমি লাহে লাহে নচলাবা।"
২৫ এইদৰে তেওঁ ওলাই গ'ল আৰু কৰ্মিল পৰ্ব্বতত ঈশ্বৰৰ লোকৰ
ওচৰলৈ আহিল। ঈশ্বৰৰ লোকে মহিলাগৰাকীক দূৰৈতে দেখি, নিজৰ
দাস গেহজীক ক'লে, "সৌৱা, চোৱা, চূনেমীয়া মহিলাগৰাকী; ২৬
তুমি দৌৰি তেওঁৰ ওচৰলৈ যোৱা আৰু সোধা যে, 'আপুনি, আপোনাৰ
স্বামী আৰু আপোনাৰ ল'ৰাটি সকলোৰে কুশলে আছে নে?' তাই
উত্তৰ দি'লে, "হয় ভালে আছে।" ২৭ পাছত তেওঁ কৰ্ম্মিল পৰ্ব্বতত
ঈশ্বৰৰ লোকজনৰ ওচৰ পাই তেওঁৰ ভৰিত খামোচি ধৰিলে। তাতে

তেওঁক আঁতৰাই আনিবলৈ গেহজী ওচৰ চাপি অহাত, ঈশ্বৰৰ লোকে
ক'লে, "তেওঁক অকলে থাকিবলৈ দিয়া; কিয়নো তেওঁৰ মন বিষাদেৰে
ভৰা; কিন্তু যিহোৱাই মোৰ পৰা তাক গুপুতে ৰাখিছে, মোক একোকে
নজনালে।" ২৮ মহিলাগৰাকীয়ে ক'লে, "হে মোৰ প্ৰভু, মই জানো
আপোনাৰ ওচৰত এটি ল'ৰা খুজিছিলোঁ? মই জানো আপোনাক কোৱা
নাছিলো, 'মোক মিছা আশা নিদিব'?" ২৯ তেতিয়া ইলীচাই গেহজীক
ক'লে, "তোমাৰ কাপোৰ কঁকালত গুজি লৈ মোৰ এই লাখুটিডাল
লোৱা আৰু মহিলাগৰাকীৰ ঘৰলৈ যোৱা। কোনো মানুহক লগ পালে,
তেওঁক মঙ্গলবাদ নকৰিবা আৰু কোনোবাই মঙ্গলবাদ কৰিলেও তাৰ
উত্তৰ নিদিবা। মোৰ লাখুটিডাল ল'ৰাটিৰ মুখৰ ওপৰত ৰাখিবা।" ৩০
কিন্তু ল'ৰাৰ মাকে ক'লে, "জীৱিত যিহোৱা আৰু আপোনাৰ শপত খাই
কওঁ, মই আপোনাক এৰি নাযাওঁ।" সেয়ে ইলীচাই উঠি মহিলাগৰাকীৰ
পাছে পাছে যাবলৈ ধৰিলে। ৩১ গেহজীয়ে তেওঁলোকৰ আগে আগে
গৈ ল'ৰাটিৰ মুখৰ ওপৰত সেই লাখুটিডাল ৰাখিলে, কিন্তু কোনো
সাৰ-সুৰৰ লক্ষণ পোৱা নগ'ল। সেয়ে, গেহজীয়ে ইলীচাক লগ ধৰিবৰ
বাবে উভটি গ'ল আৰু তেওঁক ক'লে, "ল'ৰাটি সাৰ পোৱা নাই।" ৩২
পাছত ইলীচাই ঘৰলৈ আহি দেখিলে যে, তেওঁৰ বিচনাতে মৃত ল'ৰাটি
শুৱাই থোৱা আছে। ৩৩ তেতিয়া তেওঁ অকলেই ঘৰৰ ভিতৰত সোমাই
দুৱাৰ বন্ধ কৰি যিহোৱাৰ আগত প্ৰাৰ্থনা কৰিলে। ৩৪ তাৰ পাছত তেওঁ
বিচনাৰ ওপৰত উঠি ল'ৰাটিৰ মুখৰ ওপৰত নিজৰ মুখ, চকুৰ ওপৰত
নিজৰ চকু আৰু হাতৰ তলুৱাৰ ওপৰত হাত ৰাখি শুই দিলে; তেওঁ
ল'ৰাটিৰ ওপৰত যেতিয়া দীঘল দি পৰিল, তেতিয়া ল'ৰাটিৰ গা গৰম
হৈ উঠিল। ৩৫ তাৰ পাছত ইলীচাই নামি আহি ঘৰৰ ভিতৰতে অহা
যোৱা কৰি ফুৰিলে; পাছত পুনৰায় বিচনাত উঠি গৈ ল'ৰাটিৰ ওপৰত
দীঘল হৈ পৰিল। তাতে ল'ৰাটিয়ে সাতবাৰ হাঁচি মাৰি চকু মেলি চালে!
৩৬ তেতিয়া ইলীচাই গেহজীক মাতি ক'লে, "চূনেমীয়ানীক মাতা!"
তাতে গেহজীয়ে তেওঁক মাতি আনিলে। মহিলাগৰাকী কোঁঠালিটোলৈ
অহাত ইলীচাই ক'লে, "তোমাৰ ল'ৰাটিক লোৱা।" ৩৭ তেতিয়া
মহিলাগৰকী সোমাই আহি তেওঁৰ ভৰিত পৰিল আৰু মাটিত মুখ দি

উবুৰি হৈ তেওঁক প্ৰণিপাত কৰিলে। তাৰ পাছত পুতেকক তুলি লৈ
তেওঁ বাহিৰলৈ ওলাই গ'ল। ৩৮ তাৰ পাছত ইলীচা পুনৰ গিলগললৈ
ঘূৰি গ'ল; সেই সময়ত সেই ঠাইত আকাল হৈছিল; তেতিয়া শিষ্য
ভাববাদীসকলৰ এটা দল তেওঁৰ আগত বহি আছিল; তেওঁ নিজৰ
দাসক ক'লে, "ডাঙৰ চৰুটো জুইৰ ওপৰত বহাই দি শিষ্য-ভাৱবাদীৰ
দলটোৰ কাৰণে আঞ্জাৰে চুৰুহা ৰান্ধা।" ৩৯ তেতিয়া তেওঁলোকৰ
মাজৰ এজনে শাক তুলি আনিবৰ কাৰণে পথাৰলৈ গ'ল। তেওঁ ফলেৰে
ভৰা বনৰীয়া লতা দেখা পাই তাৰ ফল ছিঙি কোঁচত ভৰাই আনিলে;
তাৰ পাছত সেইবোৰ কাটি চুৰুহাত দিলে; কিন্তু সেইবোৰ কি আছিল,
তাক তেওঁলোকে নাজানিলে। ৪০ পাছত তেওঁলোকে সেই আঞ্জা
লোক সমূহক খাবলৈ বাকি দিলে; কিন্তু লোক সকলে সেই আঞ্জা
মুখত দিয়া মাত্রকে চিঞৰি উঠিল, "হে ঈশ্বৰৰ লোক, চৰুত মৃত্যু
আছে!" তেওঁলোকে সেই আঞ্জা পুনৰ খাব নোৱাৰিলে। ৪১ তেতিয়া
ইলীচাই ক'লে, "অলপমান ময়দা লৈ আনা।" তেওঁ সেই ময়দাখিনি
চৰুত পেলাই দি ক'লে, "এতিয়া এইখিনি লোকসকলে খাবৰ কাৰণে
তেওঁলোকৰ মাজত বাকি দিয়া।" তাতে চৰুত ক্ষতিকাৰক একোৱেই
নাথাকিল। ৪২ এবাৰ বাল-চালিচাৰ পৰা এজন মানুহে ঈশ্বৰৰ লোকৰ
কাৰণে প্ৰথমে কটা শস্যৰ পৰা যৱ ধানৰ বিশটা পিঠা আৰু বস্তা ভৰাই
নতুন শস্য আনিলে। ইলীচাই ক'লে, "এইবোৰ লোকসকলক খাবলৈ
বিলাই দিয়া।" ৪৩ তেওঁৰ দাসে ক'লে, "কি! মই ইয়াক এশজন লোকৰ
আগত থম নে?" ইলীচাই উত্তৰত ক'লে, "তুমি লোকসকলক ইয়াকে
খাবলৈ দিয়া; কিয়নো যিহোৱাই কৈছে, 'তেওঁলোকে খাব আৰু কিছু
বাকীও থাকিব।'" ৪৪ সেই দাসে তেতিয়া তাক নি লোকসকলৰ আগত
ৰাখিলে। যিহোৱাই যিদৰে কৈছিল, সেইদৰেই তেওঁলোকে তাক খালে
আৰু কিছু বাকীও থাকিল।

৫ অৰামৰ ৰজাৰ সেনাপতিজনৰ নাম আছিল নামান। তেওঁ এজন
সাহসী, পৰাক্ৰমী বীৰ আছিল আৰু তেওঁৰ যোগেদিয়েই যিহোৱাই
অৰামীয়া সৈন্যৰ ওপৰত জয়ী হৈছিল। সেয়ে, ৰজাৰ ওচৰত তেওঁ
এজন অতি মহান আৰু শ্ৰদ্ধাৰ ব্যক্তি আছিল। কিন্তু তেওঁ এজন

কুষ্ঠৰোগীও আছিল। ২ এবাৰ অৰামীয়া সৈন্যৰ দলে ইস্ৰায়েলক
আক্ৰমণ কৰিবলৈ ওলাই যাওঁতে, ইস্ৰায়েল দেশৰ পৰা এজনী সৰু
ছোৱালী তুলি লৈ আহিছিল; তাই নামানৰ ভাৰ্য্যাৰ সেৱা কৰিছিল।
৩ ছোৱালীজনীয়ে নামানৰ ভাৰ্য্যাক ক'লে, "মোৰ ইচ্ছা, প্ৰভুৱে যদি
চমৰিয়াত থকা ভাববাদীক সাক্ষাৎ কৰে, বৰ ভাল হয়! তেওঁ নিশ্চয়ে
প্ৰভুক কুষ্ঠ ৰোগৰ পৰা সুস্থ কৰিব।" ৪ তেতিয়া ইস্ৰায়েল দেশৰ পৰা
অনা ছোৱালীজনীয়ে কোৱা সকলো কথা নামানে গৈ ৰজাক জনালে।
৫ "তেন্তে তুমি এতিয়াই যোৱাগৈ, ইস্ৰায়েলৰ ৰজালৈ মই এখন পত্ৰ
পঠাই দিম," অৰামৰ ৰজাই ক'লে। তেতিয়া নামানে নিজৰ লগত
দহ কিক্কৰ ৰূপ, ছয় হাজাৰটা সোণৰ টুকুৰা আৰু দহ যোৰ পিন্ধা
কাপোৰ লৈ ইস্ৰায়েললৈ যাত্ৰা কৰিলে। ৬ লগত ইস্ৰায়েলৰ ৰজালৈ
লিখা পত্ৰখনো তেওঁ ল'লে; ৰজালৈ নিয়া পত্ৰ খনত লিখা আছিল,
"এই পত্ৰৰে সৈতে মই মোৰ সেৱক নামানৰ কুষ্ঠৰোগ সুস্থ হ'বৰ
কাৰণে তেওঁক আপোনাৰ ওচৰলৈ পঠাইছো।" ৭ ইস্ৰায়েলৰ ৰজাই
সেই পত্ৰ পঢ়ি বেজাৰতে নিজৰ কাপোৰ ফালি ক'লে, "মই জানো
ঈশ্বৰ? মোৰ জানো কাৰোবাৰ মৃত্যু আৰু জীৱনৰ ওপৰত হাত আছে।
কিয় এই লোকজনে এজন মানুহৰ কুষ্ঠ ৰোগ সুস্থ কৰাৰ বাবে তেওঁক
মোৰ ওচৰলৈ পঠাইছে? ইয়াতে বুজা গৈছে যে, তেওঁ মোৰ লগত
কাজিয়া আৰম্ভ কৰিবলৈহে ছল কৰিছে।" ৮ যেতিয়া ইস্ৰায়েলৰ ৰজাই
নিজৰ কাপোৰ ফলা কথা ঈশ্বৰৰ লোক ইলীচাই শুনিলে, তেওঁ ৰজাৰ
ওচৰলৈ এই বাৰ্তা পঠালে, "আপুনি কিয় আপোনাৰ বস্ত্ৰ ফালিলে?
সেই মানুহক মোৰ ওচৰলৈ আহিব দিয়ক; তাতে তেওঁ জানিব যে
ইস্ৰায়েলৰ মাজত এজন ভাববাদী আছে।" ৯ সেয়ে, নামানে নিজৰ
ঘোঁৰা আৰু ৰথবোৰৰে সৈতে আহি, ইলীচাৰ ঘৰৰ দুৱাৰমুখত থিয়
হ'ল। ১০ ইলীচাই এজন লোকৰ দ্বাৰাই তেওঁৰ ওচৰলৈ এই বাৰ্তা কৈ
পঠালে, "আপুনি যাওঁক আৰু যৰ্দ্দন নদীত সাতবাৰ জোবোৰা মাৰক,
তাতে আপোনাৰ গাৰ মঙহ পূৰ্বৰ দৰে হৈ পৰিব আৰু আপুনি শুচি
হ'ব।" ১১ তেতিয়া নামান তাৰ পৰা খং উঠি গুচি গ'ল আৰু তেওঁ ক'লে,
"চোৱাছোন, মই ভাবিছিলোঁ, তেওঁ অৱশ্যেই ওলাই আহি মোৰ ওচৰত

থিয় হ'ব আৰু নিজৰ ঈশ্বৰ যিহোৱাৰ নামেৰে প্ৰাৰ্থনা কৰিব, ৰোগৰ
ঠাইত হাত বুলাই মোৰ কুষ্ঠ ৰোগ সুস্থ কৰিব। ১২ ইস্ৰায়েলৰ সকলো
নদীতকৈ জানো দম্মেচকৰ অবানা আৰু ফাৰ্পৰ নদী উত্তম নহয়?
মই জানো সেইবোৰত গা ধুই শুচি হ'ব নোৱাৰিম?" এই বুলি তেওঁ
প্ৰচণ্ড খঙেৰে সৈতে ঘূৰি গুচি গ'ল। ১৩ তেতিয়া দাসবোৰে তেওঁৰ
ওচৰ চাপি আহি নিবেদন কৰি ক'লে, "হে মোৰ পিতৃ, ভাববাদীজনে
আপোনাক কোনো কষ্টৰ কাম কৰিবলৈ দিয়া হ'লে, আপুনি জানো
তাক নকৰিলেহেঁতেন? তেন্তে কিনো ডাঙৰ কথা, তেওঁ কেৱল কৈছে
যে, 'জোবোৰা মাৰি শুচি হোৱা'; সেয়ে আপুনি তাক কৰা উচিত।" ১৪
তেতিয়া নামানে ঈশ্বৰৰ লোকৰ কথা অনুসাৰে যৰ্দ্দন নদীত নামি গৈ
সাত বাৰ ডুব মাৰিলে আৰু তেতিয়াই তেওঁৰ দেহ পূৰ্বৰ দৰে শুচি
হ'ল। একেবাৰে সৰু ল'ৰাৰ দৰে তেওঁৰ গাৰ ছাল পৰিস্কাৰ হ'ল।
১৫ নামান আৰু তেওঁৰ সকলো সঙ্গী তেতিয়া ঈশ্বৰৰ লোকৰ ওচৰলৈ
উভটি আহিল। ইলীচাৰ সন্মুখত থিয় হৈ ক'লে, "মই এতিয়া জানিলোঁ
যে, ইস্ৰায়েলৰ বাহিৰে গোটেই পৃথিৱীতে আৰু ক'তো ঈশ্বৰ নাই।
গতিকে এতিয়া অনুগ্ৰহ কৰি, আপোনাৰ এই দাসৰ পৰা এটি উপহাৰ
গ্ৰহণ কৰক।" ১৬ ইলীচাই ক'লে, "মই যি জনাৰ সাক্ষাতে থিয় হৈ
আছোঁ, সেই জীৱনময় যিহোৱাৰ শপত, মই একোকে গ্ৰহণ নকৰোঁ।"
নামানে উপহাৰ গ্ৰহণ কৰিবলৈ তেওঁক বহুবাৰ অনুনয়-বিনয় কৰাতো
তেওঁ মান্তি নহ'ল। ১৭ নামানে ক'লে, "আপুনি যদি ইয়াক নলয়, তেন্তে
অন্ততঃ মোক ইস্ৰায়েলৰ পৰা দুটা খছৰে বোজা কৰিব পৰাকৈ মাটি
আপোনাৰ এই দাসক দিয়ক; কিয়নো এতিয়াৰ পৰা মই যিহোৱাৰ
বাহিৰে কোনো ইতৰ দেৱতালৈ হোমবলি বা বলি উৎসৰ্গ নকৰিম।
১৮ কিন্তু, এটা বিষয়ত যেন যিহোৱাই আপোনাৰ এই দাসক ক্ষমা
কৰে; মোৰ ৰজাই যেতিয়া সেৱা কৰিবৰ অৰ্থে ৰিম্মোনৰ মন্দিৰলৈ যায়
আৰু তেওঁ মোৰ হাতৰ সাহাৰ্যত নিৰ্ভৰ কৰে, সেই সময়ত মই নিজেও
ৰিম্মোন দেৱতাৰ গৃহত মূৰ দোৱাঁব লগা হয়; তেতিয়া এই ক্ষেত্ৰত
যিহোৱাই আপোনাৰ দাসক ক্ষমা কৰক।" ১৯ ইলীচাই তেওঁক ক'লে,
"শান্তি মনেৰে যোৱা।" তেতিয়া তেওঁ ইলীচাৰ ওচৰৰ পৰা গুছি গ'ল।

২০ নামান তেওঁৰ ওচৰৰ পৰা কিছু দূৰ যোৱাৰ পাছতে ঈশ্বৰৰ লোক
ইলীচাৰ দাস গেহজীয়ে নিজৰ মনতে ক'লে, "সেই অৰামীয়া নামানে
অনা উপহাৰবোৰ গ্ৰহণ নকৰি মোৰ প্ৰভুৱে তেওঁক এনেয়ে এৰি
দিলে! জীৱিত যিহোৱাৰ শপত, মই তেওঁৰ পাছে পাছে লৰি গৈ তেওঁৰ
পৰা কিছু কিছু লওঁগৈ!" ২১ এইবুলি গেহজীয়ে নামানৰ পাছে পাছে
ল'ৰি গ'ল। নামানে গেহজীক তেওঁৰ ফালে লৰি অহা দেখি তেওঁৰ
লগত সাক্ষাৎ হ'বলৈ ৰথৰ পৰা নামি সুধিলে, "কি, সকলোবোৰ ঠিকে
আছেনে?" ২২ গেহজীয়ে ক'লে, "সকলো ঠিকেই আছে। কিন্তু মোৰ
প্ৰভুৱে এই কথা ক'বলৈ মোক পঠালে যে, 'ইফ্ৰয়িমৰ পাহাৰীয়া অঞ্চলৰ
পৰা শিষ্য ভাববাদীসকলৰ দুজন যুৱক এতিয়াই মোৰ কাষলৈ আহিল;
সেয়ে অনুগ্ৰহ কৰি, তেওঁলোকৰ বাবে এক কিক্কৰ ৰূপ আৰু দুযোৰ
কাপোৰ দিয়ক।'" ২৩ তাতে নামানে ক'লে, "আপুনি যদি দুই কিক্কৰ
লয়, তাতো মই অতি সুখী হ'ম।" এই বুলি নামানে দুযোৰ কাপোৰ
আৰু দুটা বস্তাত দুই কিক্কৰ ৰূপ বান্ধি নিজৰ দুজন দাসক কঢ়িয়াই
নিবলৈ দিলে; তেওঁলোকে সেইবোৰ লৈ গেহজীৰ আগে আগে গ'ল।
২৪ পাছত পাহাৰৰ কাষ গৈ পোৱাত, তেওঁ দাসবোৰৰ পৰা সেই ৰূপৰ
বস্তাবোৰ ল'লে আৰু ঘৰৰ ভিতৰত লুকুৱাই থৈ দাস দুজনক বিদায়
দিলে। তেতিয়া তেওঁলোক গুচি গ'ল। ২৫ তাৰ পাছত তেওঁ ভিতৰলৈ
গৈ নিজৰ প্ৰভুৰ সন্মুখত থিয় হ'ল। তেতিয়া ইলীচাই তেওঁক সুধিলে,
"গেহজী, তুমি ক'ৰ পৰা আহিলা?" তেওঁ উত্তৰ দিলে, "আপোনাৰ
দাস ক'লৈকো যোৱা নাই।" ২৬ কিন্তু ইলীচাই তেওঁক ক'লে, "সেই
মানুহজনে যেতিয়া তোমাৰ লগত সাক্ষাৎ কৰিবলৈ নিজৰ ৰথৰ পৰা
নামিছিল, তেতিয়া মোৰ অন্তৰ জানো তোমাৰ লগত যোৱা নাছিল?
ধন, কাপোৰ-কানি, জিত গছৰ বাৰী, দ্ৰাক্ষাবাৰী, মেৰ-ছাগ, গৰু আৰু
দাস-দাসী লোৱাৰ এইটো জানো সময়? ২৭ এই হেতুকে নামানৰ
কুষ্ঠৰোগ তোমাৰ আৰু তোমাৰ বংশধৰ সকলৰ মাজত চিৰকাল লাগি
থাকিব।" তেতিয়া গেহজী ইলীচাৰ সন্মুখৰ পৰা গুছি গ'ল আৰু তেওঁৰ
গাৰ ছাল হিমৰ নিচিনা বগা কুষ্ঠৰোগ হ'ল।

৬ এদিন শিষ্য ভাববাদীসকলে ইলীচাক ক'লে, "চাওঁক, যি ঠাইত
আমি আপোনাৰ লগত থাকো সেই ঠাই আমাৰ সকলোৰে কাৰণে
অতি সৰু। ২ আপুনি অনুগ্ৰহ কৰি অনুমতি দিলে আমি যৰ্দ্দন নদীৰ
কাষলৈ গৈ প্ৰতিজনে এডালকৈ গছ কাটি সেই ঠাইতে আমি থাকিবলৈ
এডোখৰ ঠাই যুগুত কৰিম।" তাতে ইলীচাই ক'লে, "বাৰু, তোমালোক
আগুৱাই যোৱা।" ৩ তেতিয়া এজন শিষ্য-ভাৱবাদীয়ে ক'লে, "আপুনিও
আপোনাৰ দাসবোৰৰ লগত ব'লক।" ইলীচাই কলে, "ঠিক আছে,
ময়ো যাম।" ৪ এইদৰে তেৰোঁ তেওঁলোকৰ লগত গ'ল। তেওঁলোকে
যৰ্দ্দনৰ ওচৰলৈ গৈ গছ কাটিবলৈ ধৰিলে। ৫ তেওঁলোকৰ মাজৰ
এজনে যেতিয়া গছ কাটি আছিল, তেতিয়া তেওঁৰ কুঠাৰখন সুলকি গৈ
পানীত পৰিল; তাতে তেওঁ চিঞঁৰ মাৰি ক'লে, "হায় হায়! হে প্ৰভু,
মই এইখন আনৰ পৰা খুজি আনিছিলো!" ৬ তেতিয়া ঈশ্বৰৰ লোকে
সুধিলে, "সেইখন ক'ত পৰিল?" সেই লোকে ঠাইডোখৰ দেখুৱাই
দিয়াত ইলীচাই এডোখৰ কাঠ কাটি আনি পানীত পেলাই দিলে;
তেতিয়া লোহা ডোখৰ পানীত ওপঙি উঠিল। ৭ ইলীচাই তেওঁক ক'লে,
"সেইটো তুলি লোৱা।" তাতে তেওঁ হাত মেলি তাক ল'লে। ৮ সেই
সময়ত অৰামৰ ৰজাই ইস্ৰায়েলৰ বিৰুদ্ধে যুদ্ধ কৰিছিল। তেওঁ নিজৰ
দাসবোৰৰ সৈতে চৰ্চা কৰি ক'লে, "অমুক-তমুক ঠাইত মোৰ ছাউনি
থাকিব।" ৯ তেতিয়া ঈশ্বৰৰ লোকে ইস্ৰায়েলৰ ৰজাক কৈ পঠালে
বোলে, "সাৱধান, সেই ঠাইলৈ নাযাব; কাৰণ অৰামীয়াসকল সেই
ঠাইলৈ নামি আহিছে।" ১০ তেতিয়া ইস্ৰায়েলৰ ৰজাই ঈশ্বৰৰ লোকে
তেওঁক সাৱধান কৰি দিয়া ঠাইডোখৰলৈ মানুহ পঠাই নিজক ৰক্ষা
কৰিলে। এইদৰে ইলীচাই কৰা সতৰ্কতাত ৰজা বাৰে বাৰে ৰক্ষা
পৰে। ১১ এই হেতুকে অৰামৰ ৰজাৰ বৰকৈ খং উঠিল। সেয়ে তেওঁ
নিজৰ দাসবোৰক মাতি ক'লে, "আমাৰ মাজৰ কোন মানুহ ইস্ৰায়েলৰ
ৰজাৰ পক্ষত আছে, তাক তোমালোকে মোক নোকোৱানে?" ১২
তাতে দাসবোৰৰ মাজৰ এজনে ক'লে, "হে মোৰ প্ৰভু মহাৰাজ, আমাৰ
মাজত কোনো নাই; কিন্তু আপুনি শোৱা কোঠালিত যি সকলো কথা
কয়, সেই কথা পৰ্যন্ত ইস্ৰায়েলৰ ভাববাদী ইলীচাই ইস্ৰায়েলৰ ৰজাক

জনায়!” ১৩ ৰজাই ক’লে, “তোমালোকে গৈ তেওঁ ক’ত থাকে, তাক
চাই আহাঁ; মই মানুহ পঠাই তেওঁক ধৰি আনিম।” পাছত তেওঁক
জনোৱা হ’ল যে, “তেওঁ দোথানত আছে।” ১৪ তেতিয়া ৰজাই ঘোঁৰা,
ৰথ আৰু এক বহু সৈন্যৰ দল দোথানলৈ পঠাই দিলে; তেওঁলোকে
ৰাতিয়েই গৈ নগৰখন ঘেৰি ধৰিলে। ১৫ পিছদিনা ঈশ্বৰৰ লোকৰ
দাসে ৰাতিপুৱা উঠি যেতিয়া বাহিৰলৈ ওলাই গৈছিল, তেতিয়া তেওঁ
ৰথ আৰু ঘোঁৰাবোৰেৰে সৈতে এদল সৈন্যই নগৰখন ঘেৰি থকা দেখা
পালে; দাসজনে তেওঁক ক’লে, “হায়, মোৰ প্ৰভু! আমি কি কৰিম?”
১৬ ইলীচাই ক’লে, “ভয় নকৰিবা; কিয়নো আমাৰ লগত থকাসকল
তেওঁলোকৰ লগত থকাসকলতকৈ অধিক।” ১৭ তাৰ পাছত ইলীচাই
এই প্ৰাৰ্থনা কৰিলে, “হে যিহোৱা, মই নিবেদন কৰোঁ, এই দাসে
যেন দেখা পায়, আপুনি তেওঁৰ চকু মুকলি কৰি দিব।” যিহোৱাই
সেই দাসৰ চকু মুকলি কৰি দিলে। তাতে তেওঁ দেখা পালে যে,
ইলীচাৰ চাৰিওফালে পাহাৰখন অগ্নিময় ঘোঁৰা আৰু ৰথেৰে ভৰি আছে!
১৮ পাছত অৰামীয়াসকল যেতিয়া ইলীচাৰ ওচৰলৈ নামি আহিছিল,
তেতিয়া তেওঁ যিহোৱাৰ আগত এই প্ৰাৰ্থনা কৰিলে, “মই নিবেদন
কৰোঁ, আপুনি এই লোকসকলক অন্ধ কৰি দিয়ক।” তাতে ইলীচাৰ
প্ৰাৰ্থনা অনুসাৰে যিহোৱাই তেওঁলোকক অন্ধ কৰিলে। ১৯ পাছত
ইলীচাই অৰামীয়াসকলক ক’লে, “এইটো সেই বাট নহয় আৰু সেই
নগৰো নহয়। আপোনালোক মোৰ পাছে পাছে আহঁক, আপোনালোকে
যাক বিচাৰিছে, মই সেই মানুহৰ ওচৰলৈ আপোনালোকক লৈ যাম।”
এইবুলি তেওঁ তেওঁলোকক চমৰিয়ালৈ লৈ গ’ল। ২০ চমৰিয়া আহি
পোৱাৰ পাছত ইলীচাই ক’লে, “হে যিহোৱা, এই লোকসকলৰ চকু
মুকলি কৰি দিয়ক যেন তেওঁলোকে দেখা পায়।” তেতিয়া যিহোৱাই
তেওঁলোকৰ চকু মুকলি কৰি দিয়াত তেওঁলোকে দেখা পালে; তাতে
তেওঁলোকে দেখিলে যে, তেওঁলোক চমৰীয়াৰ মাজত আছে। ২১
অৰামীয়াসকলক দেখা পাই ইস্ৰায়েলৰ ৰজাই ইলীচাক সুধিলে, “হে
মোৰ পিতৃ, মই তেওঁলোকক বধ কৰিম নে? মই মাৰিম নে?” ২২
ইলীচাই উত্তৰ দিলে, “আপুনি তেওঁলোকক বধ নকৰিব। আপুনি

আপোনাৰ তৰোৱাল আৰু ধনুৰে যিসকলক বন্দী কৰি আনিলে, সেই
লোকসকলক জানো আপুনি বধ কৰিব? তেওঁলোকৰ আগত পিঠা আৰু
পানী দিয়ক, যাতে তেওঁলোকে খাই বৈ তেওঁলোকৰ প্ৰভুৰ ওচৰলৈ
ঘূৰি যাব পাৰে।" ২৩ তেতিয়া ৰজাই তেওঁলোকৰ বাবে বৰ ভোজৰ
আয়োজন কৰিলে; তেওঁলোকে খোৱা-বোৱা শেষ কৰাৰ পাছত ৰজাই
তেওঁলোকক বিদায় দিয়াত তেওঁলোক তেওঁলোকৰ প্ৰভুৰ ওচৰলৈ
উলটি গ'ল। পাছত অৰামীয়াৰ সেই সৈন্যদল বহুদিন ধৰি ইস্ৰায়েল
দেশলৈ পুনৰ অহা নাছিল। ২৪ ইয়াৰ কিছু কালৰ পাছত অৰামৰ ৰজা
বিন-হদদে নিজৰ সকলো সৈন্যসামন্তক একগোট কৰি চমৰিয়া নগৰ
অৱৰোধ কৰি আক্ৰমণ কৰিবলৈ আহিল। ২৫ সেয়ে চমৰিয়াত ভীষণ
আকাল হ'ল; তেওঁলোকে নগৰখন এনেকৈ অৱৰোধ কৰি ৰাখিছিল যে
খাবলৈ শেষত এটা গাধৰ মূৰ পৰ্যন্ত আশীটা ৰূপৰ মুদ্ৰাত আৰু এনেকি
এক 'কাব' জোখৰ কপৌৰ বিষ্ঠাও পাঁচটা ৰূপৰ মুদ্ৰাত বিক্ৰী হৈছিল।
২৬ ইস্ৰায়েলৰ ৰজাই এদিন নগৰৰ দেৱালৰ ওপৰেদি অহা-যোৱা কৰি
আছিল; এনে সময়তে এগৰাকী মহিলাই তেওঁক চিঞঁৰি চিঞঁৰি ক'লে,
"সহায় কৰক, হে মোৰ প্ৰভু, মহাৰাজ।" ২৭ ৰজাই ক'লে, "যিহোৱাই
যদি সহায় নকৰে, তেন্তে মই ক'ৰ পৰা তোমাক সহায় কৰিব পাৰোঁ?
মৰণা মৰা খলাৰ পৰা নে দ্ৰাক্ষাকুণ্ডৰ পৰা?" ২৮ ৰজাই তাইক পুনৰ
সুধিলে, "তোমাৰ কি সমস্যা?" তাই উত্তৰ দিলে, "এই মহিলাই
কৈছিল, 'আজি আমি খাবলৈ তোমাৰ ল'ৰাটোক দিয়া; অহাকালি আমি
মোৰ ল'ৰাটোক খাম।'" ২৯ সেইদৰেই আমি মোৰ ল'ৰাটোক সিজাই
খালোঁ; পাছদিনা মই তাইক ক'লোঁ, "তোমাৰ ল'ৰাটোক দিয়া আৰু
আমি তাক খাওঁ; কিন্তু, তাই নিজৰ ল'ৰাটোক লুকুৱাই ৰাখিলে।" ৩০
মহিলাগৰাকীৰ এই কথা শুনি ৰজাই নিজৰ কাপোৰ ফালিলে; তেওঁ
তেতিয়াও দেৱালৰ ওপৰতে ফুৰি আছিল। তাতে লোকসকলে চাই
দেখিলে যে নিজৰ পিন্ধা কাপোৰৰ তলত ৰজাই চট কাপোৰ পিন্ধি
আছে। ৩১ পাছত তেওঁ ক'লে, "আজি চাফটৰ পুতেক ইলীচাৰ মূৰ
যদি তেওঁৰ কান্ধৰ ওপৰত থাকে, তেন্তে ঈশ্বৰে যেন মোক দণ্ড দিয়ে,
আৰু সেয়া অধিকৰূপেই দিয়ক।" ৩২ ইলীচা সেই সময়ত নিজৰ ঘৰত

বহি আছিল আৰু তেওঁৰ লগত বৃদ্ধ নেতাসকলো আছিল। ৰজাই এজন
মানুহক ইলীচাৰ ওচৰলৈ পঠালে। কিন্তু মানুহজন যেতিয়া ইলীচাৰ
ওচৰলৈ আহিছিল, তেওঁ বৃদ্ধ লোকসকলক ক'লে, 'আপোনালোকে
দেখা নাইনে কেনেকৈ সেই নৰবধীৰ পুতেকে মোৰ মূৰ নিবলৈ এজন
লোকক পঠাইছে? শুনক, মানুহজন যেতিয়া আহিব, আপোনালোকে
দুৱাৰখন বন্ধ কৰি দিব আৰু তেওঁৰ বিৰুদ্ধে দুৱাৰখন বন্ধ কৰি ধৰি
ৰাখিব; তেওঁৰ পাছে পাছে জানো তেওঁৰ প্ৰভুৰ ভৰিৰ শব্দও নহয়?
৩৩ ইলীচাই তেওঁলোকৰ সৈতে কথা কৈ থাকোতেই, সেই মানুহজন
তেওঁৰ ওচৰলৈ নামি আহিল। পাছত ৰজাই আহি ক'লে, "চাওঁক, এই
বিপদ যিহোৱাৰ পৰা আহিছে। তেন্তে যিহোৱাৰ কাৰণে মই আৰু কিয়
বাট চাই থাকিম?"

**৭** ইলীচাই ক'লে, "যিহোৱাই যি কৈছে, তাক শুনক। যিহোৱাই কৈছে,
'অহাকালি, প্ৰায় এনে সময়ত চমৰিয়া নগৰৰ দুৱাৰ মুখত এক চেয়া
পৰিমাণৰ ময়দা আৰু দুই চেয়া পৰিমাণৰ যৱ কেৱল এক চেকলকৈ
বিক্ৰী হ'ব। ২ তেতিয়া যিজন সেনাপতিৰ সাহাৰ্যৰ ওপৰত ৰজা নিৰ্ভৰ
কৰিছিল, তেওঁ সেই ঈশ্বৰৰ লোকক উত্তৰ দিলে, "চাওঁক, যিহোৱাই
যদি আকাশৰ খিড়িকিবোৰো খুলি দিয়ে, তথাপিও জানো এনেকুৱা
হ'ব পাৰে?" উত্তৰত ইলীচাই ক'লে, "চাই থাকক, আপুনি নিজৰ
চকুৰে তাক দেখিব, কিন্তু আপুনি তাৰ অলপো খাবলৈ নাপাব।"
৩ সেই সময়ত নগৰৰ প্ৰৱেশদ্বাৰৰ বাহিৰত চাৰিজন কুষ্ঠৰোগত
আক্ৰান্ত লোক আছিল; তেওঁলোকে ইজনে সিজনক ক'লে, "আমি
নমৰালৈকে ইয়াতে কিয় বহি থাকিব লাগে? ৪ আমি যদি কওঁ যে,
নগৰলৈকে সোমাই যাওঁ, তেন্তে তাতো আকাল হৈছে আৰু আমি সেই
ঠাইতো মৰিম। এতিয়া ইয়াতো যদি বহি থাকোঁ, তেন্তে ইয়াতো
মৰিম। এই হেতুকে আহাঁ, আমি অৰামীয়াসকলৰ ছাউনিলৈকে যাওঁ;
তেওঁলোকে যদি আমাক জীয়াই ৰাখে, তেন্তে জী থাকিম আৰু যদি
মাৰে, তেন্তে মৰিম।" ৫ কথামতে সেইদিনা সন্ধিয়াৰ সময়ত কুষ্ঠৰোগী
কেইজন অৰামীয়াসকলৰ ছাউনিত গৈ উপস্থিত হ'ল। তেওঁলোকে
ছাউনিৰ কাষলৈ গৈ তাত কাকো দেখা নাপালে। ৬ কিয়নো তেতিয়া

অৰামীয়া সৈন্যসকলক যিহোৱাই অনেক ৰথ, ঘোঁৰা আৰু আন বিশাল
সৈন্যদলৰ শব্দ শুনাইছিল আৰু সেয়ে, অৰামীয়া সৈন্যসকলৰ এজনে
আন জনক ক'বলৈ ধৰিলে, "চোৱা, আমাৰ বিৰুদ্ধে আক্ৰমণ কৰিবৰ
কাৰণে ইস্ৰায়েলৰ ৰজাই হিত্তীয়া আৰু মিচৰীয় ৰজাসকলক পইচা
দি আনিছে।" ৭ সেইবাবে তেওঁলোকে সন্ধিয়া হওঁতেই নিজৰ তম্বু,
ঘোঁৰা আৰু গাধ সকলোবোৰ এৰি থৈ পলাই গৈছিল আৰু ছাউনি
যেনে আছিল, তেনেকৈয়েই এৰি থৈ তেওঁলোক প্ৰাণৰ ভয়ত পলাই
গৈছিল। ৮ তাৰবাবে কুষ্ঠৰোগী কেইজনে ছাউনিৰ ওচৰলৈ গৈ এটা
তম্বুৰ ভিতৰত সোমাই খোৱা-বোৱা কৰিলে আৰু তাৰ পৰা সোণ,
ৰূপ আৰু কাপোৰ-কানিবোৰ লৈ গৈ লুকুৱাই ৰাখিলে। তাৰ পাছত
তেওঁলোকে পুনৰ ঘূৰি আহি আন এটা তম্বুত সোমাই তাৰ পৰাও বহুত
বস্তু লৈ গৈ লুকুৱাই ৰাখিলে। ৯ পাছত তেওঁলোকে ইজনে সিজনে
কোৱাকুই কৰিলে, "আমি হ'লে ভাল কাম কৰা নাই। আজিৰ এই
দিনটো হৈছে এটা সুখবৰৰ দিন আৰু আমি এই বিষয়ে কাকো একো
নকৈ মনে মনে আছোঁ। যদি আমি ৰাতিপুৱালৈকে পলম কৰি থাকোঁ,
তেন্তে শাস্তি আমাৰ ওপৰতে আহিব; সেয়ে, ব'লা আমি এতিয়াই
ৰাজগৃহত কথাটো জনাওঁগৈ।" ১০ তাতে তেওঁলোকে গৈ প্ৰৱেশদ্বাৰৰ
প্ৰহৰীসকলক মাতি ক'লে, "আমি অৰামীয়াসকলৰ ছাউনিলৈ গৈছিলোঁ;
তাত কোনো মানুহ নাই আৰু কাৰো সাৰ-শব্দও নাই; কেৱল ঘোঁৰা
আৰু গাধবোৰ বন্ধা আছে, আৰু তম্বুবোৰো যেনে আছিল তেনেভাৱেই
আছে।" ১১ প্ৰৱেশদ্বাৰৰ প্ৰহৰীসকলে এই সম্বাদ চিঞঁৰি চিঞঁৰি জনাই
দিলে আৰু পাছত ৰাজগৃহৰ ভিতৰতো জনোৱা হ'ল। ১২ তেতিয়া
ৰজাই ৰাতি উঠি তেওঁৰ দাসবোৰক ক'লে, "মই এতিয়া তোমালোকক
ক'ম যে, অৰামীয়াসকলে আমালৈ কি কৰিছে। আমি যে ভোকত আছোঁ
অৰামীয়াসকলে জানে আৰু সেইবাবে তেওঁলোকে ছাউনি এৰি পথাৰৰ
মাজত গৈ লুকাই আছে। তেওঁলোকে ভাৱিছে, 'ইস্ৰায়েলীয়াসকল
যেতিয়া নগৰৰ পৰা ওলাই আহিব, তেতিয়া আমি তেওঁলোকক জীৱিত
অৱস্থাতে ধৰিম আৰু তেওঁলোকৰ নগৰৰ ভিতৰত সোমাম'।" ১৩
তেতিয়া ৰজাৰ এজন দাসে উত্তৰ দি ক'লে, "মই আপোনাক মিনতি

কৰোঁ, কেইজনমান লোকক নগৰত যি কেইটা ঘোঁৰা অৱশিষ্ট আছে, তাৰ মাজৰ পৰা পাচঁটা ঘোঁৰা লৈ যাবলৈ দিয়ক। যিহেতু ইস্রায়েলৰ অধিক লোকেই মৰিল। ইয়াত অৱশিষ্ট থকা সকলো ইস্রায়েলবাসীৰ দৰে তেওঁলোকৰো মৃত্যু হ'ব। সেয়ে কি ঘটিছে, তাক চাবলৈ আমি তেওঁলোকক পঠিয়াই দিওঁ।"
১৪ তেতিয়া তেওঁলোকে ঘোঁৰাবোৰেৰে সৈতে দুখন ৰথ ল'লে, আৰু ৰজাই অৰামীয়া সৈন্যবোৰৰ সন্ধানত তেওঁলোকক পঠিয়াই দি ক'লে, "তোমালোকে গৈ চাই আঁহাগৈ।"
১৫ তাতে তেওঁলোকে যৰ্দ্দন নদী পৰ্যন্ত অৰামীয়াসকলক বিচাৰি গৈ দেখিলে যে অৰামীয়াসকলে লৰালৰিকৈ পলাই যোৱাৰ কাৰণে গোটেই পথটোতে কাপোৰ-কানি আৰু বস্তু-বাহানিবোৰ পৰি ভৰি আছিল। যিসকলক পঠোৱা হৈছিল, তেওঁলোকে উভটি আহি ৰজাৰ আগত এই সকলো সম্বাদ দিলে।
১৬ তেতিয়া লোকসকলে বাহিৰলৈ গৈ অৰামীয়াসকলৰ ছাউনি লুট কৰিলে; তাতে যিহোৱাৰ বাক্যৰ দৰে, এক চেয়া পৰিমাণৰ ময়দা এক চেকল ৰূপত আৰু দুই চেয়া পৰিমান যৱ ধান এক চেকল ৰূপত বিক্ৰী হ'ল।
১৭ যিজন সেনাপতিৰ সাহাৰ্যৰ হাতত ৰজা নিৰ্ভৰশীল আছিল, সেই সেনাপতিজনক ৰজাই নগৰৰ দুৱাৰ পৰিদৰ্শনৰ ভাৰ দিলে; কিন্তু লোক সকলে হুৰমূৰকৈ নগৰৰ বাহিৰলৈ ওলাই যাওঁতে প্ৰৱেশদ্বাৰৰ পথতে লোক সকলৰ ভৰিৰ গচকত তেওঁৰ মৃত্যু হ'ল। ঈশ্বৰৰ লোক ইলীচাৰ ওচৰলৈ ৰজা যেতিয়া নামি অহিছিল, তেতিয়া ইলীচাই ৰজাক যি কথা কৈছিল, সেনাপতিজন সেইদৰেই মৰিল।
১৮ ঈশ্বৰৰ লোকে ৰজাক যি কৈছিলে সেইভাৱেই এই ঘটনাটো ঘটিল। তেওঁ কৈছিল, "অহাকালি এনে সময়ত চমৰিয়াৰ দুৱাৰ মুখত দুই চেয়া যৱ ধান এক চেকলত, আৰু এক চেয়া ময়দা এক চেকলত বেচা যাব।"
১৯ সেই সেনাপতিয়ে উত্তৰত ঈশ্বৰৰ লোকক কৈছিল, "চাওঁক, যিহোৱাই যদি আকাশৰ খিড়িকিবোৰো খুলি দিয়ে, তথাপিও জানো এনেকুৱা হ'ব পাৰে?" ইলীচাই কৈছিল, "চাই থাকক, আপুনি নিজৰ চকুৰে তাক দেখিব, কিন্তু আপুনি তাৰ অলপো খাবলৈ নাপাব।"
২০ তেওঁলৈ ঠিক তেনেদৰেই ঘটিল। কিয়নো দুৱাৰৰ পথত লোকসকলৰ ভৰিৰ গচকত তেওঁৰ মৃত্যু হ'ল।

৮ যি গৰাকী মহিলাৰ পুতেকক ইলীচাই জীয়াই তুলিছিল, এদিন
তেওঁ সেই মহিলাক ক'লে, "তুমি তোমাৰ পৰিয়ালেৰে সৈতে আন যি
ঠাইতে পাৰা সেই ঠাইলৈকে গৈ কিছুকাল থাকা, কিয়নো যিহোৱাই
এই দেশত আকাল পঠাই দিব আৰু সেয়ে সাত বছৰ ধৰি থাকিব।" ২
মহিলাগৰাকীয়ে ঈশ্বৰৰ লোকৰ কথা অনুসাৰেই কাৰ্য কৰিলে। তাই
নিজৰ পৰিয়ালেৰে সৈতে গৈ সাত বছৰ পলেষ্টীয়াসকলৰ দেশত
বাস কৰিলে। ৩ সাত বছৰৰ শেষত মহিলাগৰাকী পলেষ্টীয়াসকলৰ
দেশৰ পৰা উভটি আহি নিজৰ ঘৰ আৰু মাটি ঘূৰাই পোৱাৰ কাৰণে
ৰজাৰ ওচৰত নিবেদন কৰিবলৈ গ'ল। ৪ ৰজাই সেই সময়ত ঈশ্বৰৰ
লোকৰ দাস গেহজীৰ লগত কথা পাতি আছিল। তেওঁ গেহজীক সুধি
আছিল, "ইলীচাই যি যি মহৎ কামবোৰ কৰিছে, সেই সকলোকে মোক
কোৱাছোন।" ৫ গেহজীয়ে যেতিয়া ৰজাক ইলীচাই কেনেকৈ মৃত
শিশুটিক জীয়াই তুলিছিল, এই কথা কৈ আছিল, ঠিক সেই সময়তেই
যি মহিলাৰ পুতেকক ইলীচাই জীয়াই তুলিছিল, সেই মহিলাগৰাকী
ৰজাৰ ওচৰত নিজৰ ঘৰ আৰু মাটি ঘূৰাই পাবৰ কাৰণে নিবেদন
কৰিবলৈ আহিল। গেহজীয়ে তেতিয়া ক'লে, "হে মোৰ প্ৰভু মহাৰাজ,
এৰেঁই সেই মহিলা আৰু এই জনেই তাইৰ ল'ৰা যাক ইলীচাই পুনৰ
জীৱন দিলে।" ৬ ৰজাই তেতিয়া মহিলাগৰাকীক তাইৰ ল'ৰাটিৰ
বিষয়ে সুধিলত, তাই তেওঁৰ আগত সকলো কথা ক'লে। তাতে ৰজাই
মহিলাগৰাকীৰ কাৰণে এজন কৰ্মচাৰীক আদেশ দি ক'লে, "তাইৰ যি
যি আছিল সকলোবোৰ ঘূৰাই দিয়া আৰু তাই দেশ এৰি যোৱাৰে পৰা
এতিয়ালৈকে তাইৰ মাটিত যি যি শস্য উৎপন্ন হৈছিল, সেইবোৰো
উভটাই দিয়া।" ৭ তাৰ পাছত ইলীচা দম্মেচকলৈ আহিল; সেই সময়ত
অৰামৰ ৰজা বিন-হদদ অসুস্থ আছিল। কোনোৱে ৰজাক ক'লে,
"ঈশ্বৰৰ লোক এই ঠাইলৈ আহিছে।" ৮ ৰজাই তেতিয়া হজায়েলক
ক'লে, "তুমি হাতত এটি উপহাৰ লৈ ঈশ্বৰৰ লোকৰ সাক্ষাৎ হ'বলৈ
যোৱা আৰু তেওঁৰ যোগেদি যিহোৱাৰ পৰা জানি লোৱা যে, 'মই এই
অসুখৰ পৰা সুস্থ হৈ উঠিম নে নাই'?" ৯ হজায়েলে তেতিয়া উপহাৰ
হিচাবে দম্মেচকৰ সকলো উত্তম উত্তম বস্তুৰে চল্লিশটা উটৰ পিঠিত

বোজাই কৰি ইলীচাৰ সৈতে সাক্ষাৎ হ'বলৈ গ'ল; তেওঁ আহি ইলীচাৰ
সন্মুখত থিয় হৈ ক'লে, "আপোনাৰ পুত্র অৰামৰ ৰজা বিন-হদদে এই
কথা সুধিবলৈ মোক আপোনাৰ ওচৰলৈ পঠাইছে, 'মই এই অসুখৰ
পৰা সুস্থ হ'ম নে'?" ১০ তেতিয়া ইলীচাই তেওঁক ক'লে, "তুমি গৈ ৰজা
বিন-হদদক কোৱা যে 'আপুনি অৱশ্যেই সুস্থ হৈ যাব;' কিন্তু যিহোৱাই
মোৰ ওচৰত প্ৰকাশ কৰিলে যে, তেওঁ নিশ্চয় মৰিব।" ১১ ইয়াকে কৈ
হজায়েলে লাজ নোপোৱা পৰ্যন্ত ইলীচাই তেওঁৰ ফালে একে-থৰে চাই
থাকিল আৰু পাছত ঈশ্বৰৰ লোকে কান্দিবলৈ আৰম্ভ কৰিলে। ১২
হজায়েলে সুধিলে, "হে মোৰ প্ৰভু, আপুনি কিয় কান্দিছে?" তেওঁ উত্তৰ
দিলে, "কাৰণ, তুমি ইস্ৰায়েলৰ লোকসকললৈ কি ক্ষতি কৰিবা, তাক
মই জানো। তুমি তেওঁলোকৰ দুৰ্গবোৰ জুই দি পুৰিবা, তৰোৱালেৰে
তেওঁলোকৰ যুবকসকলক বধ কৰিবা, তেওঁলোকৰ শিশুসকলক মাটিত
আচাৰি মাৰিবা আৰু তেওঁলোকৰ গৰ্ভৱতী মহিলাবোৰৰ পেট ফালিবা।"
১৩ তেতিয়া হজায়েলে ক'লে, "কেৱল এটা কুকুৰৰ তুল্য আপোনাৰ এই
দাসনো কোন যে, এই ভয়ানক কৰ্ম কৰিব?" ইলীচাই ক'লে, "তুমি যে
অৰামৰ ৰজা হ'বা, এই কথা যিহোৱাই মোক প্ৰকাশ কৰিলে।" ১৪
তাৰ পাছত হজায়েল ইলীচাৰ ওচৰৰ পৰা নিজৰ প্ৰভুৰ ওচৰলৈ ঘূৰি
গ'ল। তেতিয়া ৰজা বিন-হদদে তেওঁক সুধিলে, "ইলীচাই তোমাক কি
ক'লে?" তেওঁ উত্তৰ দিলে, "তেওঁ মোক ক'লে যে আপুনি অৱশ্যেই
সুস্থ হ'ব।" ১৫ কিন্তু ঠিক পাছ দিনাই হজায়েলে এখন কম্বল পানীত
জুবুৰিয়াই লৈ শ্বাসৰুদ্ধ হোৱাকৈ ৰজা বিন-হদদৰ মুখৰ ওপৰত মেলি
ধৰিলে আৰু তাতে ৰজাৰ মৃত্যু হ'ল। তাৰ পাছত হজায়েল বিন-
হদদৰ পদত ৰজা হ'ল। ১৬ যিহোচাফটৰ পুত্র যিহোৰাম যিহূদাৰ ৰজা
আছিল। ইস্ৰায়েলৰ ৰজা আহাবৰ পুত্র যোৰামৰ ৰাজত্ব কালৰ পঞ্চম
বছৰত যিহোৰামে যিহূদাত ৰাজত্ব কৰিবলৈ আৰম্ভ কৰে। ১৭ তেওঁ
যেতিয়া ৰাজত্ব আৰম্ভ কৰিছিল, তেতিয়া তেওঁৰ বয়স আছিল বত্ৰিশ
বছৰ আৰু তেওঁ আঠ বছৰ ধৰি যিৰূচালেমত ৰাজত্ব কৰিছিল। ১৮
যিহোৰাম ইস্ৰায়েলৰ ৰজাসকলৰ পথত চলিছিল আৰু তেওঁ আহাবৰ
জীয়েকক বিবাহ কৰাৰ কাৰণে আহাবৰ বংশৰ লোকসকলে কৰাৰ

দৰেই তেওঁ কু-আচৰণ কৰিছিল। যিহোৱাৰ দৃষ্টিত যি বেয়া তেওঁ তাকে
কৰিছিল। ১৯ তথাপিও যিহোৱাই নিজৰ দাস দায়ুদৰ কথা মনত ৰাখি
যিহূদা বিনষ্ট কৰিবলৈ ইচ্ছা নকৰিলে; কাৰণ তেওঁ দায়ুদক তেওঁৰ
বংশধৰ দিব বুলি প্ৰতিজ্ঞা কৰিছিল। ২০ যিহোৰামৰ ৰাজত্বৰ সময়ত
ইদোমীয়াসকলে যিহূদাৰ বশ্যতা অস্বীকাৰ কৰি বিদ্ৰোহ কৰিলে আৰু
তেওঁলোকৰ নিজৰ কাৰণে এজন ৰজা পাতি ল'লে। ২১ তেতিয়া
যিহোৰামে তেওঁৰ সকলো সেনাপতিৰ সৈতে ৰথবোৰ লৈ চায়ীৰলৈ
গ'ল। ইদোমীয়াসকলে তেওঁক আৰু ৰথবোৰৰ সেনাপতিসকলক
ঘেৰাও কৰিলে; কিন্তু তেওঁ ৰাতিয়েই উঠি তেওঁক আৰু ৰথবোৰৰ
সেনাপতিসকলক বেৰি ৰখা ঘেৰাও ভাঙি ইদোমীয়াসকলক আক্ৰমণ
কৰি ওলাই আহিল আৰু তেওঁৰ সৈন্যসকল পলাই গৈ নিজৰ ঘৰলৈ
ঘূৰি গ'ল। ২২ ইদোম আজিও যিহূদাৰ বিৰুদ্ধে বিদ্ৰোহী হৈ আছে।
সেই একে সময়তে লিব্‌নায়ো বিদ্ৰোহ কৰিছিল। ২৩ যিহোৰামৰ
অন্যান্য সকলো কাৰ্যৰ বিৱৰণ জানো 'যিহূদাৰ ৰজাসকলৰ ইতিহাস'
নামৰ পুস্তকখনত লিখা নাই? ২৪ পাছত যিহোৰামৰ মৃত্যু হোৱাত
তেওঁ পূৰ্বপুৰুষসকলৰ ওচৰলৈ গ'ল আৰু তেওঁক দায়ুদৰ নগৰত
পূৰ্বপুৰুষসকলৰ লগত মৈদাম দিয়া হ'ল। তাৰ পাছত তেওঁৰ পুত্ৰ
অহজিয়া তেওঁৰ পদত ৰজা হ'ল। ২৫ ইস্ৰায়েলৰ ৰজা আহাবৰ পুত্ৰ
যোৰামৰ ৰাজত্ব কালৰ দ্বাদশ বছৰত যিহোৰামৰ পুত্ৰ অহজিয়াই
যিহূদাত ৰাজত্ব কৰিবলৈ ধৰিলে। ২৬ অহজিয়াই যেতিয়া ৰাজত্ব
আৰম্ভ কৰিছিল, তেতিয়া তেওঁৰ বয়স আছিল বাইশ বছৰ আৰু তেওঁ
এবছৰ কাল যিৰূচালেমত ৰাজত্ব কৰিছিল। তেওঁৰ মাকৰ নাম আছিল
অথলিয়া; তেওঁ ইস্ৰায়েলৰ ৰজা অম্ৰীৰ নাতিনীয়েক। ২৭ অহজিয়াই
আহাবৰ বংশৰ লোকসকলৰ পথত চলিলে আৰু তেওঁলোকৰ দৰেই
কাৰ্য কৰি যিহোৱাৰ দৃষ্টিত কু-আচৰণ কৰিলে; কিয়নো অহজিয়া
আহাবৰ বংশৰ জোঁৱায়েক আছিল। ২৮ পাছত অৰামৰ ৰজা হজায়েলৰ
বিৰুদ্ধে যুদ্ধ কৰিবৰ কাৰণে ৰজা অহজিয়াই আহাবৰ পুত্ৰ ৰজা যোৰামৰ
সৈতে ৰামোৎ-গিলিয়দলৈ গ'ল; তেতিয়া অৰামীয়াসকলে যোৰামক
আঘাত কৰিলে। ২৯ অৰামৰ ৰজা হজায়েলৰ সৈতে ৰামাত যুদ্ধ কৰাৰ

সময়ত অৰামীয়াসকলে কৰা সেই আঘাতৰ পৰা সুস্থ হ'বৰ কাৰণে
ৰজা যোৰাম যিজ্ৰিয়েললৈ ঘূৰি গ'ল। যিহোৰামৰ পুত্ৰ যিহূদাৰ ৰজা
অহজিয়াই আহাবৰ পুত্ৰ যোৰামে আঘাত পাই অসুস্থ হোৱা বাবে
তেওঁক চাবলৈ যিজ্ৰিয়েললৈ নামি গ'ল।

৯ ইলীচা ভাৱবাদীয়ে শিষ্য ভাববাদীসকলৰ মাজৰ এজনক মাতি
ক'লে, “যাত্ৰাৰ বাবে সাজু হোৱা আৰু ৰামোৎ-গিলিয়দলৈ যোৱা।
তেলৰ এই সৰু বটলটো তোমাৰ লগত লোৱা।” ২ সেই ঠাই পালে
তুমি নিমচীৰ নাতি অৰ্থাৎ যিহোচাফটৰ পুত্ৰ যেহূক বিচাৰিবা; তেওঁৰ
ওচৰলৈ গৈ তেওঁক তেওঁৰ সঙ্গীসকলৰ মাজৰ পৰা আঁতৰাই এটা
ভিতৰৰ কোঁঠালিলৈ লৈ যাবা। ৩ তাৰ পাছত এই বটলটোৰ পৰা
অলপমান তেল লৈ তেওঁৰ মূৰত ঢালি দি ক'বা যে, “যিহোৱাই এই
কথা কৈছে, ‘ইস্ৰায়েলৰ ৰজা হিচাবে মই তোমাক অভিষেক কৰিলোঁ।’
তাৰ পাছত তুমি দুৱাৰখন মেলি দৌৰ মাৰিবা, পলম নকৰিবা।” ৪
সেইদৰেই সেই যুৱক ভাববাদীজন ৰামোৎ-গিলিয়দলৈ গ'ল। ৫ সেই
ঠাই পাই তেওঁ দেখিলে সেনাবাহিনীৰ সেনাপতিসকল এঠাইত বহি
আছে। যুৱক ভাৱবাদীজনে ক'লে, “সেনাপতি মহাশয়, মই আপোনাৰ
বাবে এটা খবৰ লৈ আহিছোঁ।” যেহূৱে উত্তৰ দি সুধিলে, “সেই খবৰ
আমাৰ মাজৰ কোনজনৰ কাৰণে?” তেওঁ ক'লে, “সেনাপতি মহাশয়,
আপোনাৰ কাৰণেই।” ৬ তাতে যেহূ উঠি ঘৰৰ ভিতৰলৈ গ'ল। তেতিয়া
সেই ভাৱবাদীয়ে যেহূৰ মূৰত তেল ঢালি দি ক'লে, “ইস্ৰায়েলৰ ঈশ্বৰ
যিহোৱাই এই কথা কৈছে: ‘যিহোৱাৰ লোকসকলৰ ওপৰত অৰ্থাৎ
ইস্ৰায়েলৰ ওপৰত ৰজা হিচাবে মই তোমাক অভিষেক কৰিলোঁ। ৭
তোমাৰ প্ৰভু আহাবৰ বংশক তুমি বিনষ্ট কৰিবা। ঈজেবলৰ হাতেৰে
মোৰ দাসবোৰৰ অৰ্থাৎ ভাববাদীসকলৰ আৰু যিহোৱাৰ আন সকলো
দাসবোৰৰ যি ৰক্তপাত কৰা হ'ল, তাৰ প্ৰতিশোধ মই যেন লব পাৰোঁ।
৮ আহাবৰ বংশৰ সকলোৱেই বিনষ্ট হ'ব; দাস হওঁক বা স্বাধীন হওঁক,
আহাবৰ বংশৰ প্ৰতিজন ল'ৰা শিশুক মই বিনষ্ট কৰিম। ৯ মই তেওঁৰ
বংশক নবাটৰ পুতেক যাৰবিয়ামৰ বংশৰ নিচিনা আৰু অহিয়াৰ পুতেক
বাচাৰ বংশৰ নিচিনা কৰিম। ১০ কুকুৰবোৰে ঈজেবলক যিজ্ৰিয়েলৰ

এলেকাত খাই পেলাব আৰু তাইক মৈদাম দিবলৈ কোনো নহ'ব।'"
এইবুলি কৈ যুবক ভাৱবাদীজনে দুৱাৰ খুলি দৌৰি পলাল। ১১ যেহূৱে
বাহিৰলৈ আহি যেতিয়া তেওঁৰ সঙ্গী প্ৰভুৰ সেনাপতিসকলৰ ওচৰলৈ
গ'ল, তেতিয়া তেওঁলোকৰ এজনে তেওঁক সুধিলে, "সকলো ঠিকেই
আছে নে? সেই বলীয়াটো আপোনাৰ ওচৰলৈ কিয় আহিছিল?"
যেহূৱে ক'লে, "আপোনালোকেতো সেই মানুহক চিনি পায় আৰু
তেওঁ কেনে ধৰণৰ প্ৰলাপ বকে, তাকো জানে।" ১২ তেওঁলোকে
ক'লে, "নহয়, আমি সেইবোৰ একো নাজানো। আমাক সকলো কথা
খুলি কওঁক।" যিহূৱে তেতিয়া ক'লে, "তেওঁ মোক এই কথা ক'লে
যে, যিহোৱাই এইদৰে কৈছে: "ইস্ৰায়েলৰ ওপৰত ৰজা হিচাবে মই
তোমাক অভিষেক কৰিছোঁ।" ১৩ তেতিয়া সেই সেনাপতিসকলৰ
প্ৰত্যেকেই লগে লগে নিজৰ গাৰ পৰা ওপৰৰ কাপোৰখন লৈ খটখটিৰ
ওপৰত যেহূৰ ভৰিৰ তলত পাৰি দিলে। তাৰ পাছত তেওঁলোকে
শিঙা বজাই চিঞঁৰি ক'বলৈ ধৰিলে, "যেহূ ৰজা হ'ল।" ১৪ এইদৰে
নিমচীৰ নাতি, অৰ্থাৎ যিহোচাফটৰ পুত্ৰ যেহূৱে যোৰামৰ বিৰুদ্ধে ষড়যন্ত্ৰ
কৰিলে। সেই সময়তে ৰজা যোৰাম আৰু সমগ্ৰ ইস্ৰায়েলবাসীয়ে
অৰামৰ ৰজা হজায়েলৰ হাতৰ পৰা ৰামোৎ-গিলিয়দ ৰক্ষা কৰিবলৈ
চেষ্টা কৰিছিল। ১৫ কিন্তু অৰামৰ ৰজা হজায়েলৰ সৈতে যুদ্ধ কৰাৰ
সময়ত অৰামীয়াসকলে যোৰামক যি আঘাত কৰিছিল, তাৰ পৰা সুস্থ
হ'বলৈ ৰজা যোৰাম যিজ্ৰিয়েললৈ উভটি আহিছিল। তাৰ পাছত যেহূৱে
যোৰামৰ দাস, সঙ্গী সেনাপতি সকলক ক'লে, "আপোনালোকৰো
যদি এয়ে মত হয়, তেন্তে যিজ্ৰিয়েলত এই কথা জনাবলৈ কোনো
লোকক নগৰৰ পৰা ওলাই যাব নিদিব।" ১৬ তাৰ পাছত যেহূৱে এখন
ৰথত উঠি যিজ্ৰিয়েললৈ গ'ল; কিয়নো সেই ঠাইত যোৰাম শয্যাত পৰি
আছিল। সেই সময়ত যিহূদাৰ ৰজা অহজিয়াও যোৰামক চাবৰ কাৰণে
তালৈ নামি গৈছিল। ১৭ যেহূৰ সৈন্য দলক অহা দেখি যিজ্ৰিয়েলৰ ওখ
দুৰ্গৰ ওপৰত থিয় হৈ পহৰা দিয়া প্ৰহৰীজনে চিঞঁৰি উঠিল, "মই এদল
মানুহ অহা দেখিছোঁ।" তেতিয়া যোৰামে ক'লে, "এজন অশ্বাৰোহীক
তেওঁলোকৰ ওচৰলৈ পঠাই দিয়া আৰু তেওঁ গৈ তেওঁলোকক সুধিবলৈ

ক'বা, 'আপোনালোক শান্তিভাৱেৰে আহিছে নে'?" ১৮ পাছত সেইদৰে
এজন অশ্বাৰোহী যেহূৰ সাক্ষাৎ হ'বলৈ ওলাই গ'ল আৰু তেওঁক
ক'লে, "ৰজাই সুধিছে, আপোনালোক শান্তিভাৱেৰে আহিছে নে?"
তাতে যেহূৱে ক'লে, "শান্তিৰে অহাটো তোমাক কিয় লাগে? তুমি
ঘূৰি মোৰ পাছে পাছে আহাঁ।" সেই প্ৰহৰীজনে তেতিয়া ৰজাক খবৰ
দিলে, "সেই বাৰ্তাবাহকজন গৈ তেওঁলোকৰ ওচৰ পালে, কিন্তু তেওঁ
এতিয়ালৈকে উভটি অহা নাই।" ১৯ তেতিয়া ৰজাই দ্বিতীয় আন
এজন অশ্বাৰোহীক পঠালে; তেওঁ সেই সৈন্য দলৰ ওচৰলৈ গৈ ক'লে,
"ৰজাই এই কথা কৈছে, 'আপোনালোক শান্তিভাৱেৰে আহিছে নে'?"
যেহূৱে উত্তৰ দি'লে, "শান্তিৰে অহাটো তোমাক কিয় লাগে? তুমি
ঘূৰি মোৰ পাছে পাছে আহা।" ২০ সেই প্ৰহৰীজনে পুনৰায় খবৰ
দিলে, "সেই বাৰ্তাবাহক জনেও গৈ তেওঁলোকক লগ পালে, কিন্তু
তেৰোঁতো এতিয়ালৈকে উভটি অহা নাই। ৰথ চলোৱাটো দেখি ভাব
হৈছে নিমচীৰ নাতিয়েক যেহূৱে ৰথ চলাইছে। কিয়নো তেওঁ বলিয়াৰ
দৰে ৰথ চলাইছে।" ২১ তেতিয়া যোৰামে ক'লে, "মোৰ ৰথ যুগুত
কৰা।" তেওঁলোকে তেওঁৰ ৰথ যুগুত কৰাৰ পাছত ইস্ৰায়েলৰ ৰজা
যোৰাম আৰু যিহূদাৰ ৰজা অহজিয়াই নিজৰ নিজৰ ৰথত উঠি যেহূক
লগ পাবলৈ ওলাই গ'ল। তেওঁলোকে যেহূক যিজ্ৰিয়েলীয়া নাবোতৰ
এলেকাত লগ পালে। ২২ যোৰামে যেহূক দেখামাত্ৰকে সুধিলে, "যেহূ,
তুমি শান্তিভাৱেৰে আহিছা নে?" তেওঁ ক'লে, "আপোনাৰ মা ঈজেবলৰ
ব্যভিচাৰী কাৰ্যৰ প্ৰতিমাপূজা আৰু মায়াকৰ্মৰ কাম যেতিয়া ইমান
বেছিকৈ হৈছে তেন্তে তাত আৰু কি শান্তি থাকিব পাৰে?" ২৩ এই
কথা শুনি যোৰামে নিজৰ ৰথ ঘূৰাই পলাবলৈ ধৰিলে আৰু অহজিয়াক
ক'লে, "অহজিয়া, ই বিশ্বাসঘাতক।" ২৪ তেতিয়া যেহূৱে নিজৰ সমস্ত
বলেৰে সৈতে ধনুৰ জোঁৰ টানি, যোৰামৰ দুই কান্ধৰ মাজত কাঁড়ডাল
মাৰি পঠালে। সেই কাঁড় গৈ ৰজা যোৰামৰ হৃদপিণ্ডৰ মাজেদি সৰকি
গ'ল আৰু তেওঁ কুঁজা হৈ ৰথতে পৰি গ'ল। ২৫ তেতিয়া যেহূৱে তেওঁৰ
সেনাপতি বিদকৰক ক'লে, "তেওঁক তুলি নি যিজ্ৰিয়েলীয়া নাবোতৰ
এলেকাত পেলাই দিয়া। মনত পেলোৱাছোন! মই আৰু তুমি যেতিয়া

একেলগে তেওঁৰ পিতৃ আহাবৰ পিছত ৰথেৰে গৈছিলোঁ, তেতিয়া
যিহোৱাই আহাবৰ বিৰুদ্ধে এই ভাৱবাণী কৈছিল: ২৬ ‘মই যিহোৱাই
কৈছো, যোৱাকালি মই নাবোতৰ আৰু তেওঁৰ পুতেকসকলৰ তেজ
দেখিলোঁ আৰু এই মাটিতেই মই নিশ্চয়কৈ তোমাক তাৰ প্ৰতিফল
দিম।’ এই হেতুকে তুমি এতিয়া যিহোৱাৰ কথা অনুসাৰে তেওঁক তুলি
লৈ সেই মাটিত পেলাই দিয়া।” ২৭ যি ঘটিল, তাকে দেখি যিহূদাৰ
ৰজা অহজিয়াই বৈৎ-হাগগানৰ পথেদি পলাই গ’ল। যেহূৱে তেওঁৰ
পাছে পাছে খেদি গৈ চিঞৰিলে, “তেওঁকো ৰথৰ ভিতৰত বধ কৰা।”
তেতিয়া তেওঁলোকে যিব্লিয়ামৰ ওচৰৰ গূৰলৈ উঠি যোৱা পথত তেওঁক
আঘাত কৰিলে। অহজিয়াই মগিদ্দোলৈ পলাই গ’ল আৰু তাতে তেওঁ
মৰিল। ২৮ তেওঁৰ দাসবোৰে তেওঁক ৰথত তুলি যিৰূচালেমলৈ লৈ গ’ল
আৰু দায়ুদৰ নগৰত তেওঁৰ ওপৰ-পিতৃসকলৰ লগত তেওঁৰ মৈদামত
তেওঁক মৈদাম দিলে। ২৯ আহাবৰ পুত্ৰ যোৰামৰ ৰাজত্ব কালৰ
একাদশ বছৰত অহজিয়া যিহূদাৰ ৰজা হৈছিল। ৩০ তাৰ পাছত যেহূ
যিজ্ৰিয়েললৈ গ’ল। ঈজেবলে এই বাতৰি পাই চকুত কাজল লগালে
আৰু কেশ-বিন্যাসেৰে নিজক শোভিত কৰি খিড়িকিয়েদি চালে। ৩১
যেহূ যেতিয়া দুৱাৰেদি সোমাই আহিল, তেতিয়া ঈজেবলে তেওঁক
ক’লে, “তুমি শান্তিৰে আহিলা নে জিম্ৰী, নিজৰ প্ৰভুৰ হত্যাকাৰী?” ৩২
তেতিয়া যেহূৱে ওপৰলৈ খিড়িকিৰ ফালে চাই ক’লে, “মোৰ পক্ষত
কোন আছে? কোন কোন আছে?” তাতে দুই তিনিজন নপুংসকে
ওপৰৰ পৰা বাহিৰলৈ চালে। ৩৩ যেহূৱে ক’লে, “তেওঁক তললৈ
পেলাই দিয়া।” তেতিয়া তেওঁলোকে ঈজেবলক তললৈ পেলাই দিলে;
তাতে ঈজেবলৰ কিছু তেজ দেৱালত আৰু ঘোঁৰাবোৰৰ গাত ছিটিকি
পৰিল আৰু যেহূৰ ৰথৰ ঘোঁৰাবোৰে তেওঁক ভৰিৰে গচকিলে; ৩৪
তাৰ পাছত যেহূ ৰাজগৃহৰ ভিতৰলৈ গৈ ভোজন-পান কৰিলে; তেতিয়া
তেওঁ ক’লে, “এই শাও পোৱা মহিলাগৰাকীক এতিয়া চোৱা; তাইক
লৈ মৈদাম দিয়াগৈ; কিয়নো তাই ৰজাৰ জীয়েক।” ৩৫ লোকসকলে
যেতিয়া ঈজেবলক মৈদাম দিবৰ কাৰণে ওলাই গ’ল, তেতিয়া মূৰৰ
লাউখোলা, ভৰি আৰু হাতৰ বাহিৰে তেওঁৰ একোকে নাপালে। ৩৬

সেয়ে তেওঁলোকে উভটি গৈ যেহূক এই বাতৰি দিলে; তাতে তেওঁ
ক'লে, “যিহোৱাই তেওঁৰ দাস তিচবীয়া এলিয়াৰ দ্বাৰাই ঠিক এই
কথাই কৈছিল যে, ‘যিজ্ৰিয়েলৰ মাটিত কুকুৰবোৰে ঈজেবলৰ মঙহ
খাব, ৩৭ আৰু সেই মাটিত ঈজেবলৰ শৱ গোবৰৰ দৰে পৰি থাকিব;
তাতে কোনেও ক'ব নোৱাৰিব যে, ‘এইটো ঈজেবলৰ দেহ’।”

**১০** চমৰিয়াত আহাব ৰজাৰ সত্তৰ জন বংশধৰ আছিল;
যেহূৱে চমৰিয়া, যিজ্ৰিয়েলৰ শাসনকৰ্তাসকল, পৰিচাৰক আৰু
আহাবৰ বংশধৰৰ অভিভাৱকসকললৈ এই পত্ৰ লিখি পঠালে, ২
“আপোনালোকৰ প্ৰভুৰ বংশধৰসকল আপোনালোকৰ লগত আছে
আৰু ৰথ, ঘোঁৰা, গড়েৰে আবৃত এখন নগৰ আৰু অস্ত্ৰ-শস্ত্ৰবোৰো
আছে; এই হেতুকে এই পত্ৰ পোৱা মাত্ৰেই, ৩ আপোনালোকৰ প্ৰভুৰ
সকলোতকৈ উত্তম আৰু যোগ্য বংশধৰক বাচি লৈ আহাবৰ সিংহাসনত
বহুৱাওক; তাৰ পাছত প্ৰভুৰ ৰাজবংশৰ কাৰণে যুদ্ধ কৰক।” ৪
কিন্তু তেওঁলোকে অতিশয় ভয় খাই ক'লে, “চাওঁক, দুজন ৰজায়েই
যেতিয়া যেহূৰ আগত থিয় হ'ব নোৱাৰিলে, তেন্তে আমিনো কেনেকৈ
থিয় হ'ব পাৰিম?” ৫ এই হেতুকে ৰাজপৰিয়ালৰ পৰিচালক, নগৰৰ
শাসনকৰ্তা, পৰিচাৰকসকল আৰু আহাবৰ বংশধৰসকলক প্ৰতিপাল
কৰাসকলে যেহূক এই কথা কৈ পঠালে, “আমি আপোনাৰ দাস।
আপুনি যি আজ্ঞা দিব, আমি সেই সকলোকে কৰিম। আমি কাকো ৰজা
নাপাতোঁ; আপুনি যি ভাল দেখে, তাকেই কৰক।” ৬ তেতিয়া যেহূৱে
তেওঁলোকলৈ দ্বিতীয় বাৰ পত্ৰ লিখিলে, “আপোনালোক যদি মোৰ
পক্ষত থাকে আৰু মোৰ কথামতে চলে, তেন্তে আপোনালোকৰ প্ৰভুৰ
বংশধৰসকলৰ মূৰ ছেদন কৰি অহাকালি এই সময়তে যিজ্ৰিয়েলত
মোৰ ওচৰলৈ আহিব।” আহাবৰ সেই সত্তৰজন বংশধৰ তেতিয়া
নগৰৰ প্ৰধান লোকসকলৰ লগত আছিল। তেওঁলোকে তেওঁলোকক
চোৰা-চিতা কৰিছিল। ৭ যেহূৰ পত্ৰ পোৱাৰ পাছত সেই লোকসকলে
সেই সত্তৰজনৰ সকলোকে ধৰি হত্যা কৰিলে। তাৰ পাছত পাচিত
তেওঁলোকৰ মূৰবোৰ ভৰাই যিজ্ৰিয়েলত যেহূৰ ওচৰলৈ পঠাই দিলে।
৮ তেতিয়া এজন লোকে আহি যেহূক ক'লে, “তেওঁলোকে ৰজাৰ

বংশধৰসকলৰ মূৰবোৰ লৈ আনিছে।” তাতে তেওঁ ক’লে, “সেইবোৰ
দুটা দম কৰি নগৰৰ প্ৰৱেশদ্বাৰৰ পথত ৰাতিপুৱালৈকে ৰাখি থোৱা।”
৯ পিছ দিনা ৰাতিপুৱা যেহূ বাহিৰলৈ ওলাই গ’ল। তেওঁ সকলো
লোকৰ সন্মুখত থিয় হৈ ক’লে, আপোনালোকৰ কোনো দোষ নাই।
ময়েই মোৰ প্ৰভুৰ অহিতে ষড়যন্ত্ৰ কৰি তেওঁক বধ কৰিলোঁ; কিন্তু
এওঁলোক সকলোকে কোনে বধ কৰিলে? ১০ এতিয়া আপোনালোকে
নিশ্চয়কৈ জানি ৰাখক, আহাবৰ বংশৰ বিৰুদ্ধে যিহোৱাই কোৱা
কোনো এটি কথাও অথলে নাযাব; যিহোৱাই তেওঁৰ দাস এলিয়াৰ
দ্বাৰাই যি কৈছিল, তাক তেওঁ সিদ্ধ কৰিলে।” ১১ এইদৰে যেহূৱে
যিজ্ৰিয়েলত থকা আহাবৰ বংশৰ সকলো অৱশিষ্ট লোকক, অৰ্থাৎ
তেওঁৰ সকলো প্ৰধান লোকক, তেওঁৰ প্ৰণয়ৰ বন্ধুসকল আৰু তেওঁৰ
পুৰোহিতসকলক বধ কৰিলে। তেওঁলোকৰ আৰু কোনোৱেই জীয়াই
নাথাকিল। ১২ পাছত যেহূ বাহিৰ হৈ চমৰিয়াৰ ফালে যাবলৈ ধৰিলে।
বাটত তেওঁ মেৰ-ছাগ ৰখীয়াৰ গাওঁ বৈৎ-একদৰ ওচৰ পালে। ১৩ সেই
ঠাইতে যিহূদাৰ ৰজা অহজিয়াৰ কেইজনমান ভায়েকৰ লগত যেহূৰ
সাক্ষাৎ হ’ল; তেওঁ তেওঁলোকক সুধিলে, “আপোনালোক কোন হয়?”
তেওঁলোকে ক’লে, “আমি অহজিয়াৰ ভায়েক; আমি ৰাণী ঈজেবলৰ
সন্তান সকলক আৰু ৰাজপৰিয়ালৰ সকলোকে মঙ্গলবাদ কৰিবলৈ
আহিছোঁ।” ১৪ তেতিয়া যেহূৱে তেওঁৰ লোক সকলক আজ্ঞা দি’লে,
“এওঁলোকক জীয়াই জীয়াই ধৰা।” লোকসকলে তেওঁলোকক জীৱন্তে
ধৰিলে আৰু বৈৎ-একদৰ নাদত তেওঁলোকক বধ কৰিলে। তেওঁলোক
সংখ্যাত বিয়াল্লিশ জন আছিল। তেওঁলোকৰ মাজৰ এজনকো জীয়াই
নাৰাখিলে। ১৫ সেই ঠাইৰ পৰা গুচি যোৱাৰ পাছত ৰেখবৰ পুত্ৰ
যিহোনাদবক যেহূৱে লগ পালে। তেওঁ যেহূক দেখা কৰিবলৈ আহিছিল।
যেহূৱে তেওঁক মঙ্গলবাদ জনাই ক’লে, “মোৰ হৃদয় যেনেকৈ আপোনাৰ
লগত আছে তেনেকৈ আপুনিও মোৰ পক্ষত আছে নে?” যিহোনাদবে
উত্তৰ দিলে, “হয়, আছোঁ।” যেহূৱে ক’লে “যদি সেয়ে তেন্তে আপোনাৰ
হাত আগবঢ়াই দিয়ক।” যিহোনাদবে হাত আগবঢ়াই দিলে আৰু
যেহূৱে তেওঁক ৰথত তুলি ল’লে। ১৬ তেতিয়া যেহূৱে ক’লে, “মোৰ

লগত আহাঁ আৰু যিহোৱাৰ কাৰণে মোৰ আগ্ৰহ কিমান তাক চোৱাহি।”
এইদৰে তেওঁ যিহোনাদবক নিজৰ ৰথত তুলি লৈ গ’ল। ১৭ পাছত
যেহূ চমৰিয়ালৈ আহি আহাবৰ ৰাজবংশৰ বাকী সকলো লোকক
বধ কৰিলে; যিহোৱাই এলিয়াক যি কৈছিল সেই অনুসাৰে যেহূৱে
তেওঁলোকক বিনষ্ট কৰিলে। ১৮ তাৰ পাছত যেহূৱে সকলো লোকক
গোটাই তেওঁলোকক ক’লে, “আহাবে বাল দেৱতাক সামান্য ভাৱে পূজা
কৰিলে; কিন্তু যেহূৱে তেওঁৰ পূজা অধিক বেছিকৈ কৰিব। ১৯ এতিয়া
বাল দেৱতাৰ সকলো ভাববাদী, উপাসক আৰু পুৰোহিতসকলক মোৰ
ওচৰলৈ মাতি আনক। চাব যেন কোনো নহাকৈ নাথাকে, কিয়নো বাল
দেৱতাৰ উদ্দেশ্যে মই এক মহাবলি উৎসৰ্গ কৰিব লাগিব। কোনোবা
যদি নাহে, তেন্তে তেওঁ জীয়াই নাথাকিব।” কিন্তু আচলতে যেহূৱে
বাল দেৱতাৰ উপাসকসকলক বিনষ্ট কৰাৰ আশয়েৰে এই ছলনা
কৰিলে। ২০ যেহূৱে আজ্ঞা দিলে, “বাল দেৱতাৰ উদ্দেশ্যে এটা দিন
ঠিক কৰি এক পবিত্ৰ মহাসভাৰ ঘোষণা কৰা।” সেই লোকসকলে
সেই কথা প্ৰচাৰ কৰিলে। ২১ যেহূৱে তেতিয়া ইস্ৰায়েলৰ সকলো
ঠাইলৈ এই বাৰ্তা পঠাই দিলে। তাতে বাল দেৱতাৰ সকলো উপাসক
আহি উপস্থিত হ’ল। কোনোৱে নহাকৈ নাথাকিল। তেওঁলোক বাল
দেৱতাৰ মন্দিৰত সোমোৱাৰ পাছত মন্দিৰৰ ইমুৰৰ পৰা সিমুৰলৈকে
লোকেৰে ভৰি পৰিল। ২২ তেতিয়া যেহূৱে পুৰোহিতৰ পোছাক-
ৰক্ষকজনক ক’লে, “বাল দেৱতাৰ উপাসকসকলৰ কাৰণে কাপোৰ
লৈ আহা।” তাতে লোকজনে তেওঁলোকৰ কাৰণে কাপোৰ উলিয়াই
আনিলে। ২৩ তাৰ পাছত যেহূ আৰু ৰেখবৰ পুত্ৰ যিহোনাদব বাল
দেৱতাৰ মন্দিৰত সোমাল। যেহূৱে বাল দেৱতাৰ উপাসকসকলক
ক’লে, “আপোনালোকে ভালদৰে চাওঁক যাতে যিহোৱাৰ দাসবোৰৰ
মাজৰ কোনো আপোনালোকৰ মাজত নাথাকে, কেৱল বাল দেৱতাৰহে
উপাসকসকল থাকিব।” ২৪ তেতিয়া তেওঁলোক বলি আৰু হোমবলি
উৎসৰ্গ কৰিবলৈ ভিতৰলৈ সোমাই গ’ল। যেহূৱে বাহিৰত থিয় হৈ
থকা আশী জন লোকক মনোনীত কৰি এই বুলি সাৱধান কৰি
ক’লে, “মই তোমালোকৰ হাতত যিসকল লোকক আনি দিছোঁ,

তেওঁলোকৰ এজনকো যদি কোনোৱে পলাই যাবলৈ দিয়ে তেন্তে
সেই জনৰ প্ৰাণৰ সলনি, তেওঁৰে প্ৰাণ লোৱা হ'ব।" ২৫ যেহূৱে
হোমবলি উৎসৰ্গ শেষ কৰাৰ লগে লগে ৰখীয়া আৰু সেনাপতিসকলক
আজ্ঞা দিলে, "তোমালোক ভিতৰলৈ সোমাই গৈ তেওঁলোকক বধ
কৰা; এজনকো বাহিৰলৈ আহিব নিদিবা।" তেতিয়া তেওঁলোকে
তৰোৱালেৰে তেওঁলোকক বধ কৰিলে। ৰখীয়া আৰু সেনাপতিসকলে
তেওঁলোকৰ শবোৰ বাহিৰলৈ পেলাই দি, বাল দেৱতাৰ মন্দিৰৰ
ভিতৰ কোঁঠালিলৈ গ'ল। ২৬ তেওঁলোকে বাল দেৱতাৰ মন্দিৰৰ পৰা
পূজাৰ শিলৰ স্তম্ভবোৰ উলিয়াই আনি পুৰি পেলালে। ২৭ তাৰ পাছত
তেওঁলোকে বাল দেৱতাৰ স্তম্ভ আৰু মন্দিৰটো ভাঙি পেলালে আৰু
তাক পাইখানা ঘৰ হিচাবে ব্যৱহাৰ কৰিলে। ই আজিলৈকে আছে। ২৮
এইদৰে যেহূৱে ইস্ৰায়েলৰ মাজৰ পৰা বাল দেৱতা আৰু ইয়াৰ পূজা-
অৰ্চনাক বন্ধ কৰিলে। ২৯ কিন্তু নবাটৰ পুত্ৰ যাৰবিয়ামে ইস্ৰায়েলৰ
দ্বাৰাই যিবোৰ পাপ কাৰ্য কৰাইছিল, সেইবোৰৰ পৰা তেওঁ আঁতৰি
নাহিল অৰ্থাৎ বৈৎএল আৰু দানত থকা সোণৰ দামুৰি দুটাৰ পাছত
চলাৰ পৰা যেহূ আঁতৰ নহ'ল। ৩০ যিহোৱাই যেহূক ক'লে, মোৰ দৃষ্টিত
যি ন্যায়, তাক কৰি তুমি ভাল কৰ্ম কৰিলা, আৰু মোৰ মনত যি যি
আছিল, সেই সকলোকে তুমি আহাবৰ বংশলৈ কৰিলা; এই কাৰণে
চতুৰ্থ পুৰুষলৈকে তোমাৰ বংশ ইস্ৰায়েলৰ সিংহাসনত বহিব। ৩১
তথাপি যেহূৱে নিজৰ সকলো চিত্তে সৈতে ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাৰ
ব্যৱস্থা অনুসাৰে চলিবলৈ সাৱধান নহ'ল; যাৰবিয়ামে যিবোৰ পাপৰ
দ্বাৰাই ইস্ৰায়েলক পাপ কৰাইছিল, সেইবোৰ পাপৰ পৰা তেওঁ আঁতৰ
নহ'ল। ৩২ সেই কালত যিহোৱাই ইস্ৰায়েল দেশৰ সীমা সৰু কৰিবলৈ
ধৰিলে। হজায়েলে ইস্ৰায়েলৰ সীমাত ইস্ৰায়েলীয়াসকলক পৰাজয়
কৰিলে। ৩৩ তেওঁ যৰ্দ্দন নদীৰ পূব ফালৰ পৰা, অৰ্ণোন উপত্যকাৰ
ওচৰত থকা অৰোয়েৰ পৰ্যন্ত, সমগ্ৰ গিলিয়দ আৰু বাচান অঞ্চল
জয় কৰিলে; সেই ঠাইবোৰ গাদ, ৰূবেণ আৰু মনচি ফৈদৰ অঞ্চল
আছিল। ৩৪ যেহূৰ অন্যান্য সকলো বৃত্তান্ত, তেওঁৰ সকলো কৰ্ম আৰু
পৰাক্ৰমৰ কথা জানো ইস্ৰায়েলৰ ৰজাসকলৰ 'ইতিহাস-পুস্তকখনত'

লিখা নাই? ৩৫ পাছত যেহূ তেওঁৰ পূৰ্বপুৰুষসকলৰ সৈতে নিদ্ৰিত
হ'ল আৰু লোকসকলে তেওঁক চমৰিয়াত মৈদাম দিলে। তেওঁৰ ঠাইত
তেওঁৰ পুত্ৰ যিহোৱাহজ ৰজা হ'ল। ৩৬ যেহূৱে চমৰিয়াত ইস্ৰায়েলৰ
ওপৰত আঠাইশ বছৰ ৰাজত্ব কৰিছিল।

**১১** যিহূদাৰ ৰজা অহজিয়াৰ মাক অথলিয়াই যেতিয়া দেখিলে যে
তেওঁৰ পুত্ৰৰ মৃত্যু হ'ল, তেতিয়া তেওঁ ৰাজবংশৰ সকলো সন্তানকে বধ
কৰিলে। ২ কিন্তু সকলো ৰাজপুত্ৰক বধ কৰাৰ সময়ত ৰজা যিহোৰামৰ
জীয়েক অৰ্থাৎ অহজিয়াৰ ভনীয়েক যিহোচেবাই অহজিয়াৰ পুত্ৰ
যোৱাচক ৰাজপুত্ৰসকলৰ মাজৰ পৰা চুৰ কৰি আনিলে। যিহোচেবাই
যোৱাচক অথলিয়াৰ পৰা লুকুৱাই ৰাখিবৰ কাৰণে তেওঁক ধাই মাকৰে
সৈতে এটা শোৱা কোঁঠালিত ৰাখিলে। সেয়ে অথলিয়াই যোৱাচক
বধ কৰিব নোৱাৰিলে। ৩ যোৱাচক লৈ যিহোচেবা যিহোৱাৰ গৃহত
ছবছৰ লুকাই থাকিল; সেই সময়ত যিহূদা দেশত অথলিয়াই শাসন
কৰিছিল। ৪ সপ্তম বছৰত পুৰোহিত যিহোয়াদাই দেহৰক্ষীসকলৰ শত-
সেনাপতি আৰু ৰক্ষক-সেনাসকলৰ শত-সেনাপতিসকললৈ বাৰ্তা পঠাই
যিহোৱাৰ গৃহত নিজৰ ওচৰলৈ মাতি আনিলে। তেওঁ তেওঁলোকৰ
সৈতে এটি চৰ্ত কৰিলে। যিহোৱাৰ গৃহত তেওঁ তেওঁলোকক এক শপত
খোৱাই লৈ ৰাজকোঁৱৰ যোৱাচক আনি তেওঁলোকক দেখুৱালে। ৫
তাৰ পাছত তেওঁ তেওঁলোকক নিৰ্দেশ দি ক'লে, "আপোনালোকে
এই কাম কৰিব লাগিব: আপোনালোকৰ যিসকলে বিশ্ৰামবাৰে কাম
কৰিবলৈ যাব, তেওঁলোকৰ তিনি ভাগৰ এভাগে ৰাজগৃহ পহৰা দিব।
৬ এক ভাগ ছুৰ দুৱাৰত থাকিব আৰু এক ভাগ ৰক্ষক-সেনাগৃহৰ
পাছফালৰ দুৱাৰত থাকিব।" ৭ আপোনালোকৰ অন্য দুটা দল,
যিসকলে বিশ্ৰামবাৰে ছুটি পাব, তেওঁলোক সকলোৱে যিহোৱাৰ গৃহত
ৰজা যোৱাচক পহৰা দিব। ৮ আপোনালোক প্ৰতিজনে হাতত অস্ত্ৰ লৈ
ৰজাক চাৰিওফালে ঘেৰি ৰাখিব। আপোনালোকৰ শাৰীৰ মাজত যেয়ে
সোমাই আহিব তেওঁকে বধ কৰা হওঁক; ৰজা বাহিৰ বা ভিতৰ য'লৈকে
যাওঁক, আপোনালোক তেওঁৰ সঙ্গে সঙ্গে থাকিব। ৯ সেইদৰেই
পুৰোহিত যিহোয়াদাই যিদৰে নিৰ্দেশ দিলে, শত-সেনাপতিসকলে সেই

সকলোকে কৰিলে। তেওঁলোক প্ৰতিজনে নিজৰ নিজৰ লোকসকলক অৰ্থাৎ যিসকলে বিশ্ৰাম বাৰে কাম কৰিবলৈ আহিছিল আৰু যিসকলে কামৰ পৰা ছুটি কৰিছিল, সেই সকলোকে লৈ যিহোয়াদা পুৰোহিতৰ ওচৰলৈ আহিল। ১০ পুৰোহিত যিহোয়াদাই তেতিয়া ৰজা দায়ুদৰ যি সকলো যাঠি আৰু ঢাল যিহোৱাৰ গৃহত আছিল, সেইবোৰ লৈ শত-সেনাপতিসকলক দিলে। ১১ ৰক্ষক-সেনাবোৰৰ প্ৰত্যেকেই ৰজাৰ চাৰিওফালে হাতত নিজৰ অস্ত্ৰ লৈ মন্দিৰৰ সোঁ ফালৰ পৰা বাওঁ ফাললৈকে যজ্ঞবেদীৰ কাষে কাষে থিয় হৈ থাকিল। ১২ তাৰ পাছত যিহোয়াদাই ৰাজকোঁৱৰ যোৱাচক বাহিৰলৈ উলিয়াই আনি তেওঁৰ মূৰত মুকুট পিন্ধাই হাতত ব্যৱস্থা-পুস্তকখন দিলে। তেওঁলোকে তেওঁক ৰাজপদত অভিষেক কৰিলে। তাতে সকলোৱে হাত তালি দি সমস্বৰে ক'লে, "মহাৰাজ চিৰজীৱি হওঁক।" ১৩ ৰক্ষক-সেনা আৰু লোকসকলৰ কোলাহল শুনি মহাৰাণী অথলিয়া যিহোৱাৰ গৃহলৈ লোক সকলৰ কাষলৈ আহিল। ১৪ তেওঁ চাই দেখিলে যে, তাত ৰীতি অনুসাৰে ৰজা যোৱাচ স্তম্ভটোৰ ওচৰত থিয় হৈ আছে। শত-সেনাপতিসকল আৰু শিঙা বজোৱাসকল ৰজাৰ কাষত ঘেৰি আছে; সকলো দেশবাসীয়ে আনন্দ কৰিছে আৰু শিঙা বজাইছে। তেতিয়া ৰাণী অথলিয়াই নিজৰ কাপোৰ ফালি চিঞৰিলে, "ৰাজদ্ৰোহী! ৰাজদ্ৰোহী!" ১৫ পুৰোহিত যিহোয়াদাই তেতিয়া যিসকলৰ ওপৰত সেনাদলৰ ভাৰ আছিল, সেই শত-সেনাপতিসকলক নিৰ্দেশ দিলে, "তেওঁক শাৰীবোৰৰ মাজলৈ বাহিৰলৈ লৈ আনা। তেওঁৰ সমৰ্থক যিকোনো লোক তেওঁৰ পাছে পাছে বাহিৰলৈ আহিব, তেওঁক তৰোৱালেৰে বধ কৰিব।" কিয়নো পুৰোহিতে কৈছিল, "তেওঁক যেন যিহোৱাৰ গৃহৰ ভিতৰত বধ কৰা নহয়।" ১৬ সেয়ে অথলিয়াক তেওঁলোকে বাট এৰি দিলে। তাৰ পাছত তেওঁ ঘোঁৰা সোমোৱা ফালৰ দুৱাৰেদি ৰাজগৃহলৈ গৈছিল আৰু তাতে তেওঁক বধ কৰা হ'ল। ১৭ তাৰ পাছত যিহোয়াদাই যিহোৱা, ৰজা যোৱাচ আৰু প্ৰজাসকলৰ মাজত এক চুক্তি কৰিলে। এই চুক্তিত কোৱা হ'ল যে, ৰজা আৰু প্ৰজা উভয়েই যিহোৱাৰ লোক হৈ চলিব। তেওঁ ৰজা আৰু প্ৰজা পৰস্পৰৰ মাজতো এক চুক্তি কৰিলে। ১৮ তাৰ পাছত

দেশৰ সকলো লোকে একেলগে বাল দেৱতাৰ মন্দিৰলৈ গৈ তাক
ভাঙি পেলালে; সেই ঠাইৰ বেদী আৰু মূৰ্ত্তিবোৰ ভাঙি খণ্ড-বিখণ্ড
কৰিলে। তেওঁলোকে বাল দেৱতাৰ পুৰোহিত মত্তনকো বেদীবোৰৰ
সন্মুখত বধ কৰিলে। পাছত পুৰোহিত যিহোয়াদাই যিহোৱাৰ গৃহত
ৰক্ষক-সেনাসকলৰ নিযুক্ত কৰিলে। ১৯ তাৰ পাছত যিহোয়াদাই শত-
সেনাপতি, দেহৰক্ষী, ৰক্ষক-সেনাসকল আৰু দেশৰ সকলো লোকক
লগত লৈ যিহোৱাৰ গৃহৰ পৰা ৰজা যোৱচক উলিয়াই আনিলে।
তেওঁলোকে ৰক্ষক-সেনাসকলৰ দুৱাৰৰ বাটেদি ৰাজগৃহলৈ আহিল
সোমাই আহিল। এইদৰে যোৱাচ ৰাজ সিংহাসনত বহিল। ২০ দেশৰ
সকলো প্ৰজাই আনন্দ কৰিবলৈ ধৰিলে আৰু নগৰখনত শান্তি ঘূৰি
আহিল। অথলিয়াক ৰাজগৃহত তৰোৱালেৰে বধ কৰাৰ কাৰণে দেশৰ
সকলো মানুহে আনন্দ কৰিলে। ২১ যোৱাচে যেতিয়া ৰাজত্ব আৰম্ভ
কৰিছিল, তেতিয়া তেওঁৰ বয়স সাত বছৰ আছিল।

**১২** ইস্ৰায়েলত যেহূৰ ৰাজত্বৰ সপ্তম বছৰত যোৱাচ ৰজা হৈছিল
আৰু তেওঁ যিৰূচালেমত চল্লিশ বছৰ কাল ৰাজত্ব কৰিছিল। তেওঁৰ
মাকৰ নাম আছিল চিবিয়া; তেওঁ বেৰ-চেবা নগৰৰ নিবাসী আছিল। ২
পুৰোহিত যিহোয়াদাই পৰামৰ্শ দি থকাৰ কাৰণে যোৱাচে সকলো
সময়তে যিহোৱাৰ দৃষ্টিত যি ন্যায় তাকে কৰিছিল। ৩ কিন্তু ওখ
ঠাইৰ প্ৰাৰ্থনাৰ মঠবোৰ ধ্বংস কৰা নাছিল; লোকসকলে তেতিয়াও
সেই ঠাইবোৰত বলিদান কৰিছিল আৰু ধূপ জ্বলাইছিল। ৪ যোৱাচে
পুৰোহিতসকলক ক’লে, “যিহোৱাৰ গৃহলৈ বিশেষ উদ্দেশ্যৰ কাৰণে
পবিত্ৰ দান হিচাবে ধন অনা হওঁক; গণিত লোকৰ পৰা মন্দিৰৰ
কৰ, যিহোৱাৰ দ্বাৰা উৎসাহিত হৈ লোকসকলে মন্দিৰৰ কাৰণে নিজ
মনোবাঞ্ছাৰে অনা দান-বৰঙনি, সেই সকলো লৈ আপোনালোকে
জমা কৰিব। ৫ পাছত পুৰোহিতসকলে এই সকলো ধন তেওঁলোকৰ
কৰদাতাসকলৰ পৰা লৈ প্ৰয়োজনৰ সময়ত মন্দিৰ মেৰামতিৰ কামত
সেই ধন ব্যৱহাৰ কৰিব।” ৬ কিন্তু যোৱাচ ৰজাৰ ৰাজত্বৰ তেইশ
বছৰৰ সময়ত দেখা গ’ল পুৰোহিতসকলে মন্দিৰ মেৰামতিৰ একো
কামেই কৰা নাছিল। ৭ সেয়ে, যোৱাচ ৰজাই যিহোয়াদা পুৰোহিতক

আৰু আন আন পুৰোহিতসকলক মাতি সুধিলে, “আপোনালোকে
কিয় মন্দিৰৰ একোৰেই মেৰামতি কৰা নাই? এই হেতুকে, এতিয়াৰ
পৰা আপোনালোকে পুনৰ আপোনালোকৰ কৰদাতাসকলৰ পৰা
ধন নল’ব, বৰং মন্দিৰ মেৰামতিৰ অৰ্থে যিখিনি সংগ্ৰহ কৰা হ’ল
সেইখিনি লৈ যেয়ে মেৰামতি কৰিব পাৰে সেইসকলক দি দিয়ক।” ৮
তেতিয়া পুৰোহিতসকল সন্মত হ’ল যে, তেওঁলোকে লোকসকলৰ
পৰা পুনৰ ধন নল’ব আৰু নিজে মন্দিৰ মেৰামতি কাম নকৰিব। ৯
পুৰোহিত যিহোয়াদাই এটা চন্দুক লৈ তাৰ ঢাকনিত এটা বিন্ধা কৰিলে
আৰু সেইটো যজ্ঞ-বেদীৰ ওচৰত যিহোৱাৰ গৃহলৈ সোমোৱা ঠাইৰ
সোঁফালে থলে। যি পুৰোহিতসকলে মন্দিৰৰ প্ৰৱেশদ্বাৰত পহৰা দিয়ে,
তেওঁলোকে যিহোৱাৰ গৃহলৈ অনা সকলো ধন সেই চন্দুকত ৰাখিছিল।
১০ এইভাৱে তেওঁলোকে যেতিয়া দেখিছিল যে সেই চন্দুকত বহুত
ধন জমা হৈছিল, তেতিয়া ৰজাৰ সচিব আৰু প্ৰধান পুৰোহিতে আহি
যিহোৱাৰ গৃহলৈ অনা সকলো ধন হিচাপ কৰি বস্তাবোৰত বান্ধি
থৈছিল। ১১ পাছত যিমান ধন উঠে তাক ওজন কৰি যিহোৱাৰ মন্দিৰ
তদাৰককাৰী সকলৰ হাতত দিছিল। তেওঁলোকে সেই ধন যিহোৱাৰ
মন্দিৰ মেৰামতি কৰা লোকসকলক অৰ্থাৎ বাঢ়ৈ, গৃহ নিৰ্মাণ কৰা
বনুৱাসকলক দিছিল। ১২ ৰাজমিস্ত্ৰী ও শিল ভঙা লোকসকলক দিছিল;
তাৰ উপৰিও, যিহোৱাৰ মন্দিৰ মেৰামতিৰ কাৰণে কাঠ কিনা, শিল
ভঙা আৰু প্ৰয়োজনীয় সকলো সামগ্ৰীৰ কাৰণে খৰচ কৰিছিল। ১৩
যিহোৱাৰ গৃহলৈ যি ধন অনা হৈছিল, সেই ধনেৰে ৰূপৰ পিয়লা, শলিতা
পৰিস্কাৰ কৰা চেপেনা, চৰিয়া, শিঙা বা যিহোৱাৰ গৃহৰ সোণ ৰূপৰ
আন কোনো পাত্ৰ তৈয়াৰ কৰা নাছিল। ১৪ কিন্তু সেই ধন কেৱল
তদাৰককাৰীসকলে যিহোৱাৰ গৃহ মেৰামতি কৰা বনুৱাসকলকহে
দিছিল। ১৫ তদাৰককাৰীসকলৰ পৰা তেওঁলোকে কোনো হিচাপ
লোৱাৰ আৱশ্যকতা নাছিল, কাৰণ এই লোকসকল সৎ আছিল। ১৬
কিন্তু যিহোৱাৰ মন্দিৰলৈ দোষাৰ্থক আৰু পাপাৰ্থক বলিৰ ধন অনা
হোৱা নাছিল; সেইবোৰ পুৰোহিতসকলে পাইছিল। ১৭ সেই কালত
অৰামৰ ৰজা হজায়েলে গাত নগৰৰ বিৰুদ্ধে যুদ্ধ কৰি তাক অধিকাৰ

কৰিলে; তাৰ পাছত তেওঁ যিৰূচালেম আক্ৰমণ কৰিবলৈ আগবাঢ়িল।
১৮ তেতিয়া যিহূদাৰ ৰজা যোৱাচে তেওঁৰ পিতৃ আৰু পূৰ্বপুৰুষসকলে
অৰ্থাৎ যিহূদাৰ পূৰ্বৰ ৰজা যিহোচাফট, যিহোৰাম আৰু অহজিয়াই
দিয়া যিহোৱাৰ উদ্দেশ্যে পবিত্ৰ কৰা আৰু নিজৰো সকলো পবিত্ৰ
বস্তুবোৰ অৰামৰ ৰজা হজায়েলৰ ওচৰলৈ পঠাই দিলে। তাৰ লগতে,
যিহোৱাৰ গৃহ আৰু ৰাজগৃহৰ ভঁৰালবোৰত থকা সকলো সোণও পঠাই
দিলে। হজায়েলে তেতিয়া যিৰূচালেম এৰি গুচি গ'ল। ১৯ যোৱাচৰ
অন্যান্য সকলো কাৰ্যৰ বৃত্তান্ত "যিহূদাৰ ৰজাসকলৰ ইতিহাস" নামৰ
পুস্তকখনত জানো লিখা নাই? ২০ পাছত তেওঁৰ দাসবোৰে লগ হৈ
তেওঁৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰি চিল্লালৈ নামি যোৱা পথত বৈৎ-মিল্লোত
তেওঁক আক্ৰমণ কৰি বধ কৰিলে। ২১ চিমিয়তৰ পুতেক যোজাখৰ
আৰু চোমেৰৰ পুতেক যিহোজাবদ, এই দুজন দাসে তেওঁক আক্ৰমণ
কৰি বধ কৰিছিল। তেওঁলোকে যোৱাচক দায়ুদৰ নগৰত তেওঁৰ
পূৰ্বপুৰুষসকলৰ লগত মৈদাম দিলে। তেওঁৰ পুত্ৰ অমচিয়া তেওঁৰ
পদত ৰজা হ'ল।

**১৩** যিহূদাৰ ৰজা অহজিয়াৰ পুত্ৰ যোৱাচৰ ৰাজত্বৰ তেইশ বছৰৰ
সময়ত যেহূৰ পুত্ৰ যিহোৱাহজ চমৰিয়াত ইস্ৰায়েলৰ ৰজা হ'ল। তেওঁ
সোঁতৰ বছৰ ৰাজত্ব কৰিছিল। ২ যিহোৱাৰ দৃষ্টিত যি বেয়া তেওঁ
তাকেই কৰিছিল আৰু নবাটৰ পুতেক যাৰবিয়ামে ইস্ৰায়েলৰ দ্বাৰাই
যিসকলো পাপ কাৰ্য কৰাইছিল, তেওঁ তাকেই কৰিছিল; তাৰ পৰা
তেওঁ আঁতৰি অহা নাছিল। ৩ সেয়ে, ইস্ৰায়েলৰ বিৰুদ্ধে যিহোৱাৰ
ক্ৰোধ জ্বলি উঠিল আৰু তেওঁ অৰামৰ ৰজা হজায়েল আৰু তেওঁৰ পুত্ৰ
বিন-হদদৰ হাতত বাৰে বাৰে তেওঁলোকক শোধাই দিছিল। ৪ পাছত
যিহোৱাহজে যিহোৱাৰ ওচৰত মিনতি কৰিলে আৰু যিহোৱাই তেওঁৰ
প্ৰাৰ্থনা শুনিলে, কাৰণ অৰামৰ ৰজাই ইস্ৰায়েলৰ ওপৰত যি উপদ্ৰৱ
কৰিছিল তাক যিহোৱাই চাই আছিল। ৫ তেতিয়া যিহোৱাই ইস্ৰায়েলক
এজন উদ্ধাৰকৰ্তা দিলে। তাতে ইস্ৰায়েলীয়াসকল অৰামীয়াসকলৰ
হাতৰ পৰা মুক্ত হ'ল আৰু তেওঁলোকে পূৰ্বৰ দৰে নিজ নিজ গৃহত
শান্তিৰে বাস কৰিবলৈ ধৰিলে। ৬ তথাপিও যাৰবিয়ামে যিবোৰ পাপৰ

দ্বাৰাই ইস্ৰায়েলক পাপ কৰাইছিল, তেওঁলোকে সেই সকলো পাপ কাৰ্য
কৰিয়েই থাকিল। আচেৰা মুৰ্ত্তিটো তেতিয়াও চমৰিয়াতে আছিল।
৭ পঞ্চাশ জন অশ্বাৰোহী, দহখন ৰথ আৰু দহ হাজাৰ পদাতিক
সৈন্যৰ বাহিৰে যিহোৱাহজৰ আন কোনো সৈন্য নাথাকিল; কাৰণ
অৰামৰ ৰজাই বাকী সকলোকে বিনষ্ট কৰিলে। তেওঁলোকক মৰণা
মৰা খলাৰ ধূলিৰ দৰে কৰিলে। ৮ যিহোৱাহজৰ অন্যান্য সকলো কৰ্ম
আৰু পৰাক্ৰমৰ বৃত্তান্ত, “ইস্ৰায়েলৰ ৰজাসকলৰ ইতিহাস” পুস্তকখনত
জানো লিখা নাই? ৯ পাছত যিহোৱাহজ তেওঁৰ ওপৰ পিতৃসকলৰ
লগত নিদ্ৰিত হ’ল আৰু লোকসকলে তেওঁক চমৰিয়াত মৈদাম দিলে।
তেওঁৰ পুত্ৰ যোৱাচ তেওঁৰ পদত ৰজা হ’ল। ১০ যিহূদাৰ ৰজা যোৱাচৰ
ৰজাৰ ৰাজত্বৰ সাতত্ৰিশ বছৰৰ সময়ত যিহোৱাহজৰ পুত্ৰ যিহোৱাচ
চমৰিয়াত ইস্ৰায়েলৰ ৰজা হ’ল। তেওঁ ষোল্ল বছৰ ৰাজত্ব কৰিছিল।
১১ তেওঁ যিহোৱাৰ দৃষ্টিত যি বেয়া তাকেই কৰিছিল আৰু নবাটৰ
পুতেক যাৰবিয়ামে ইস্ৰায়েলৰ দ্বাৰাই যি সকলো পাপ কাৰ্য কৰাইছিল,
তেওঁ তাকেই কৰিছিল; তাৰ পৰা তেওঁ আঁতৰি অহা নাছিল। ১২
যোৱাচৰ অন্যান্য সকলো কৰ্ম আৰু যি পৰাক্ৰমেৰে তেওঁ যিহূদাৰ
ৰজা অমচিয়াৰ সৈতে যুদ্ধ কৰিছিল, সেই সকলো বৃত্তান্ত “ইস্ৰায়েলৰ
ৰজাসকলৰ ইতিহাস” পুস্তকখনত জানো লিখা নাই? ১৩ পাছত
যোৱাচ তেওঁৰ ওপৰ পিতৃসকলৰ লগত নিদ্ৰিত হ’ল আৰু যাৰবিয়াম
তেওঁৰ সিংহাসনত বহিল; যোৱাচক ইস্ৰায়েলৰ ৰজাসকলৰ লগত
চমৰিয়াত মৈদাম দিয়া হ’ল। ১৪ পাছত ইলীচা অসুস্থ হৈ পৰিল আৰু
সেই অসুখতেই তেওঁৰ মৃত্যু হৈছিল। ইস্ৰায়েলৰ ৰজা যিহোৱাচ তেওঁৰ
ওচৰলৈ গৈ কান্দি কান্দি ক’লে, “হে মোৰ পিতৃ, হে মোৰ পিতৃ,
ইস্ৰায়েলৰ ৰথ আৰু অশ্বাৰোহীসকলে আপোনাক লৈ যাব!” ১৫ তেতিয়া
ইলীচাই তেওঁক ক’লে, “আপুনি মোৰ বাবে এখন ধনু আৰু কিছুমান
কাঁড় লৈ আহঁক।” ৰজাই তেতিয়া এখন ধনু আৰু কিছুমান কাঁড়
আনিলে। ১৬ তাৰ পাছত ইলীচাই ইস্ৰায়েলৰ ৰজাক ক’লে, “আপোনাৰ
হাত ধনুত ৰাখক।” তেতিয়া ৰজাই ধনুখনৰ ওপৰত হাত ৰাখিলে।
ইলীচাই নিজৰ হাত ৰজাৰ হাতৰ ওপৰত থলে। ১৭ ইলীচাই ক’লে,

“পূব ফালৰ খিড়িকিখন খুলি দিয়ক।” তাতে ৰজাই তাক খুলি দিলে।
তাৰ পাছত ইলীচাই ক’লে, “কাঁড় মাৰি দিয়ক!” ৰজাই সেইদৰে কাঁড়
মাৰি দিলে। তেতিয়া ইলীচাই ক’লে, “এইয়া যিহোৱাৰ জয়লাভৰ কাঁড়,
অৰামৰ ওপৰত জয়লাভৰ কাঁড়; আপুনি অফেকাত অৰামীয়াসকলক
সমূলে ধ্বংস নকৰালৈকে আক্ৰমণ কৰিব।” ১৮ তেওঁ পুনৰ ক’লে,
“আপুনি কাঁড়বোৰ লওঁক।” ৰজাই সেইবোৰ লোৱাৰ পাছত ইলীচাই
ইস্ৰায়েলৰ ৰজাক ক’লে, “সেইবোৰেৰে মাটিত আঘাত কৰক।” তাতে
ৰজাই মাটিত তিনিবাৰ আঘাত কৰিলে। ১৯ তেতিয়া ঈশ্বৰৰ লোকে
তেওঁৰ ওপৰত ক্ৰুদ্ধ হৈ ক’লে, “পাঁচ-ছয়বাৰ মাটিত আঘাত কৰা
আপোনাৰ উচিত আছিল। সেয়ে হোৱা হলে, আপুনি অৰামীয়াসকলক
সমূলে ধ্বংস নোহোৱালৈকে আক্ৰমণ কৰি থাকিব পাৰিলেহেঁতেন।
কিন্তু এতিয়া আপুনি কেৱল তিনিবাৰ তেওঁলোকক আক্ৰমণ কৰিব
পাৰিব। ২০ পাছত ইলীচাৰ মৃত্যু হ’ল আৰু তেওঁক মৈদাম দিয়া হ’ল।
বছৰৰ আৰম্ভণিতে মোৱাবীয়া দলবোৰ ইস্ৰায়েল দেশত সোমাল। ২১
এবাৰ ইস্ৰায়েলীয়াসকলে যেতিয়া এজন মানুহক মৈদাম দি আছিল,
তেতিয়া হঠাৎ এদল মোৱাবীয়া মানুহ দেখি তেওঁৰ শৱটো ইলীচাৰ
মৈদামৰ ভিতৰত পেলাই দিলে; তাতে সেই শৱে ইলীচাৰ অস্থি স্পৰ্শ
কৰা মাত্ৰে জী উঠি নিজৰ ভৰিত ভৰ দি থিয় হ’ল। ২২ যিহোৱাহজৰ
গোটেই ৰাজত্ব কালত অৰামৰ ৰজা হজায়েলে ইস্ৰায়েলক উপদ্ৰৱ
কৰিছিল। ২৩ কিন্তু যিহোৱাই অব্ৰাহাম, ইচহাক আৰু যাকোবে সৈতে
কৰা নিয়মৰ কাৰণে, তেওঁ ইস্ৰায়েলৰ ওপৰত অনুগ্ৰহ আৰু দয়া
কৰিলে; তেওঁলোকলৈ মনোযোগ দিলে। সেয়ে যিহোৱাই তেওঁলোকক
বিনষ্ট কৰা নাছিল আৰু এতিয়াও তেওঁলোকক নিজৰ উপস্থিতিৰ
পৰা দূৰ কৰা নাই। ২৪ অৰামৰ ৰজা হজায়েলৰ মৃত্যু হ’ল আৰু
তেওঁৰ পুত্ৰ বিন-হদদ তেওঁৰ পদত ৰজা হ’ল। ২৫ যিহোৱাহজৰ পুত্ৰ
যিহোৱাচে সেই সকলো নগৰবোৰ পুনৰায় অধিকাৰ কৰিলে, যিবোৰ
নগৰ হজায়েলৰ পুত্ৰ বিন-হদদে তেওঁৰ পিতৃ যিহোৱাহজৰ পৰা যুদ্ধত
জয় কৰি লৈছিল। যিহোৱাচে তিনিবাৰ বিন-হদদক আক্ৰমণ কৰি
ইস্ৰায়েলৰ সেই নগৰবোৰ পুনৰায় উদ্ধাৰ কৰিলে।

১4 ইস্ৰায়েলৰ ৰজা যিহোৱাহজৰ পুত্ৰ যিহোৱাচৰ ৰাজত্ব কালৰ
দ্বিতীয় বছৰত যিহূদাৰ ৰজা যোৱাচৰ পুত্ৰ অমচিয়াই ৰাজত্ব কৰিবলৈ
ধৰিলে। ২ তেওঁ পঁচিশ বছৰ বয়সত ৰজা হৈ যিৰূচালেমত ঊনত্ৰিশ
বছৰ ৰাজত্ব কৰিছিল। তেওঁৰ মাকৰ নাম আছিল যিহোৱাদ্দন। তেওঁ
যিৰূচালেম নগৰৰ বাসিন্দা আছিল। ৩ যিহোৱাৰ দৃষ্টিত যি ন্যায়, তেওঁ
তাকে কৰিছিল; তথাপিও তেওঁৰ পূৰ্বপুৰুষ দায়ূদৰ নিচিনা নাছিল;
তেওঁ তেওঁৰ পিতৃ যোৱাচৰ দৰে সকলো কৰ্ম কৰিছিল। ৪ কিন্তু ওখ
ঠাইৰ মঠবোৰ তেওঁ ধ্বংস নকৰিলে। লোকসকলে তাত তেতিয়াও
হোমবলি দিছিল আৰু ধূপ জ্বলাই আছিল। ৫ ৰাজ্য তেওঁৰ অধীনলৈ
অহাৰ পাছতেই যি দাসবোৰে ৰজা অৰ্থাৎ তেওঁৰ পিতৃক বধ কৰিছিল,
তেওঁলোকক তেওঁ বধ কৰিলে। ৬ কিন্তু ঘাতকসকলৰ পুত্ৰসকলক
হ'লে তেওঁ বধ কৰা নাছিল; মোচিৰ বিধান পুস্তকত যি লিখা আছিল,
তেওঁ সেই দৰেই তেওঁলোকক বধ নকৰিলে। সেই পুস্তকত যিহোৱাই
এইদৰে কৈছে, “সন্তানৰ কাৰণে পিতৃক অথবা পিতৃ-মাতৃৰ কাৰণে
সন্তানক মৃত্যুদণ্ডৰে দণ্ডিত কৰা উচিত নহ'ব। কিন্তু প্ৰতিজনে তেওঁৰ
নিজ নিজ পাপৰ কাৰণে মৰিব লাগিব।” ৭ অমচিয়াই লৱণ উপত্যকাত
দহ হাজাৰ ইদোমীয়া লোকক বধ কৰিলে আৰু যুদ্ধত চেলা নগৰ
অধিকাৰ কৰি সেই ঠাইৰ নাম যক্তিয়েল ৰাখিলে; সেই নাম আজিলৈকে
আছে। ৮ তাৰ পাছত তেওঁ যেহূৰ নাতি, অৰ্থাৎ যিহোৱাহজৰ পুত্ৰ
ইস্ৰায়েলৰ ৰজা যিহোৱাচলৈ মানুহ পঠাই ক'লে, “আহঁক, আমি যুদ্ধৰ
কাৰণে মুখা-মুখি হওঁ।” ৯ কিন্তু ইস্ৰায়েলৰ ৰজা যিহোৱাচে উত্তৰত
যিহূদাৰ ৰজা অমচিয়ালৈ কৈ পঠালে, “লিবানোনৰ এজোপা কাঁইট
গছে লিবানোনৰেই এৰচ গছজোপালৈ কৈ পঠালে, ‘মোৰ পুত্ৰৰ লগত
আপোনাৰ ছোৱালীক বিয়া দিয়ক।’ তাৰ পাছত লিবানোনত থকা এটা
বন্য জন্তুৱে ঘূৰি-ফুৰি আহি সেই কাঁইট গছজোপাক গছকি মাৰিলে।
১০ ইদোমক পৰাজয় কৰি নিশ্চয় আপোনাৰ মনত অহংকাৰ হৈছে।
গতিকে জয়ৰ অহংকাৰ কৰক; তথাপিও ঘৰতে থাকক। কিয় নিজলৈ
বিপদ মাতি আনিছে আৰু তাৰ লগতে নিজৰ আৰু যিহূদাৰো ধ্বংস
মাতি আনিছে?” ১১ কিন্তু অমচিয়াই সেই কথালৈ কাণ নিদিলে। সেয়ে,

ইস্ৰায়েলৰ ৰজা যিহোৱাচে তেওঁক আক্ৰমণ কৰিলে; তেওঁ আৰু যিহূদাৰ
ৰজা অমচিয়াই যিহূদাৰ বৈৎচেমচত ইজনে সিজনৰ মুখা-মুখি হ'ল।
১২ ইস্ৰায়েলৰ হাতত যিহূদা সম্পূৰ্ণৰূপে পৰাস্ত হ'ল আৰু সকলোৱেই
নিজৰ নিজৰ ঘৰলৈ পলাই গ'ল। ১৩ ইস্ৰায়েলৰ ৰজা যিহোৱাচে
বৈৎচেমচত যিহূদাৰ ৰজা অমচিয়াক বন্দী কৰি যিৰূচালেমলৈ লৈ
আহিল। অমচিয়া যোৱাচৰ পুত্ৰ আৰু অহজিয়াৰ নাতি আছিল। তাৰ
পাছত ৰজা যিহোৱাচে যিৰূচালেমলৈ আহি ইফ্ৰয়িমৰ দুৱাৰৰ পৰা
কোণৰ দুৱাৰ পৰ্যন্ত প্ৰায় চাৰিশ হাত দীঘল যিৰূচালেমৰ প্ৰাচীৰ ভাঙি
পেলালে। ১৪ যিহোৱাৰ গৃহত পোৱা সোণ, ৰূপ আৰু আনসকলো বস্তু
আৰু ৰাজগৃহৰ ভঁৰালত থকা সকলো মূল্যবান বস্তুবোৰ লৈ গ'ল।
তাৰ বাহিৰেও জামিন হিচাপে অনেক লোকক বন্দী কৰি যিহোৱাচ
চমৰিয়ালৈ উলটি গ'ল। ১৫ যিহোৱাচে কৰা কাৰ্যৰ অন্যান্য বৃতান্ত,
তেওঁৰ পৰাক্ৰমৰ কথা আৰু যিহূদাৰ অমচিয়া ৰজাৰ লগত তেওঁ যুদ্ধ
কৰা কথা জানো "ইস্ৰায়েলৰ ৰজাসকলৰ ইতিহাস" পুস্তকখনত লিখা
নাই? ১৬ পাছত যিহোৱাচ তেওঁৰ পূৰ্বপুৰুষসকলৰ লগত নিদ্ৰিত হ'ল
আৰু চমৰিয়াত ইস্ৰায়েলৰ ৰজাসকলৰ লগত তেওঁক মৈদাম দিয়া হ'ল;
তেওঁৰ পুত্ৰ যাৰবিয়াম তেওঁৰ পদত ৰজা হ'ল। ১৭ ইস্ৰায়েলৰ ৰজা
যিহোৱাহজৰ পুত্ৰ যিহোৱাচৰ মৃত্যুৰ পাছত যিহূদাৰ ৰজা যোৱাচৰ পুত্ৰ
অমচিয়াই আৰু পোন্ধৰ বছৰ জীয়াই থাকিল। ১৮ অমচিয়াৰ অন্যান্য
বৃত্তান্ত জানো যিহূদাৰ "ৰজাসকলৰ ইতিহাস-পুস্তক" খনত লিখা নাই?
১৯ তেওঁলোকে যিৰূচালেমত অমিচিয়াৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰিলে আৰু
তেওঁ লাখীচলৈ পলাই গ'ল। কিন্তু লোকসকলে লাখীচলৈকে তেওঁৰ
পাছত মানুহ পঠাই তেওঁক তাত বধ কৰিলে। ২০ তেওঁলোকে তেওঁৰ
শৰটো ঘোঁৰাৰ পিঠিত তুলি যিৰূচালেমলৈ লৈ আনিলে আৰু দায়ুদৰ
নগৰত তেওঁৰ পূৰ্বপুৰুষসকলৰ লগত তেওঁক মৈদাম দিয়া হ'ল। ২১
পাছত যিহূদাৰ সকলো লোকে অজৰিয়াক তেওঁৰ পিতৃ অমচিয়াৰ পদত
ৰজা পাতিলে। তেতিয়া তেওঁৰ বয়স আছিল ষোল্ল বছৰ। ২২ ৰজা
অমচিয়া তেওঁৰ পূৰ্বপুৰুষসকলৰ লগত নিদ্ৰিত হোৱাৰ পাছত, ৰজা
অজৰিয়াই এলৎ নগৰ পুনৰ নিৰ্মাণ কৰিলে আৰু যিহূদাৰ অধীনলৈ

আনিলে। ২৩ যিহূদাৰ ৰজা যোৱাচৰ পুত্ৰ অমচিয়াৰ ৰাজত্বৰ পোন্ধৰ
বছৰৰ সময়ত ইস্ৰায়েলৰ ৰজা যিহোৱাচৰ পুত্ৰ যাৰবিয়ামে চমৰিয়াত
ৰজা হ'ল আৰু তেওঁ একচল্লিশ বছৰ ৰাজত্ব কৰিলে। ২৪ তেওঁ
যিহোৱাৰ দৃষ্টিত যি বেয়া তাকে কৰিলে আৰু নবাটৰ পুত্ৰ যাৰবিয়ামে
ইস্ৰায়েলৰ দ্বাৰাই যিসকলো পাপ কৰাইছিল, তেওঁ সেইসকলো পাপ
কৰি থাকিল; সেইসকলোৰে পৰা তেওঁ আঁতৰ নহ'ল। ২৫ ইস্ৰায়েলৰ
ঈশ্বৰ যিহোৱাই তেওঁৰ দাস গৎ-হেফৰৰ অমিত্তয়ৰ পুত্ৰ ভাববাদী
যোনাৰ দ্বাৰাই যি কথা কৈছিল, সেই কথা অনুসাৰে যাৰবিয়ামে লেব
হমাত এলেকাৰ পৰা অৰাবা সমুদ্ৰলৈকে ইস্ৰায়েলৰ সীমা পুনৰায়
স্থাপন কৰিলে। ২৬ কিয়নো যিহোৱাই দেখিছিল যে, ইস্ৰায়েলত স্বাধীন
বা দাস সকলোৱে কেনেৰূপ কষ্ট ভোগ কৰি আছে; তেওঁলোকক উদ্ধাৰ
কৰিবলৈ তাত কোনো নাছিল। ২৭ যিহেতু যিহোৱাই কোৱা নাছিল যে,
ইস্ৰায়েলৰ নাম আকাশৰ তলৰ পৰা লুপ্ত কৰি পেলাব, সেয়ে তেওঁ
যিহোৱাচৰ পুত্ৰ যাৰবিয়ামৰ দ্বাৰাই তেওঁলোকক উদ্ধাৰ কৰিলে। ২৮
যাৰবিয়ামৰ অন্যান্য সকলো কাৰ্য, পৰাক্ৰম, আৰু যুদ্ধ জয়ৰ বৃত্তান্ত
আৰু এসময়ত যিহূদাৰ অধীনত থকা দম্মেচক আৰু হমাৎ কেনেদৰে
তেওঁ ইস্ৰায়েলৰ কাৰণে পুনৰায় অধিকাৰ কৰিলে, সেই কথা জানো
"ইস্ৰায়েলৰ ৰজাসকলৰ ইতিহাস" পুস্তক খনত জানো লিখা নাই? ২৯
পাছত যাৰবিয়াম তেওঁৰ পূৰ্বপুৰুষ ইস্ৰায়েলৰ ৰজাসকলৰ লগত নিদ্ৰিত
হ'ল আৰু তেওঁৰ পুত্ৰ জখৰিয়া তেওঁৰ পদত ৰজা হ'ল।

**১৫** ইস্ৰায়েলৰ ৰজা যাৰবিয়ামৰ ৰাজত্ব কালৰ সাতাইশ বছৰত
যিহূদাৰ ৰজা অমচিয়াৰ পুত্ৰ অজৰিয়া ৰজা হ'ল। ২ তেওঁ ষোল্ল বছৰ
বয়সত ৰজা হৈ যিৰূচালেমত বাৱন্ন বছৰ ধৰি ৰাজত্ব কৰিছিল; তেওঁৰ
মাকৰ নাম আছিল যিখলিয়া। তেওঁ যিৰূচালেমৰ বাসিন্দা আছিল।
৩ পিতৃ অমচিয়াৰ নিদৰ্শনেৰে তেওঁ যিহোৱাৰ দৃষ্টিত যি ন্যায় তাকে
কৰিছিল। ৪ কিন্তু, তেওঁ ওখ ঠাইৰ মঠবোৰ হ'লে আঁতৰ নকৰিলে।
লোকসকলে তেতিয়াও মঠবোৰত বলি উৎসৰ্গ কৰি ধূপ জ্বলাইছিল। ৫
পাছত যিহোৱাই ৰজাক আঘাত কৰাত তেওঁ মৃত্যু পৰ্যন্ত কুষ্ঠ ৰোগত
ভুগিছিল আৰু তেওঁ এক পৃথক গৃহত বাস কৰিছিল। তাতে ৰজাৰ পুত্ৰ

যোথম ৰাজগৃহৰ অধ্যক্ষ হৈছিল আৰু তেওঁ দেশৰ লোকসকলক শাসন
কৰিবলৈ ধৰিলে। ৬ উজ্জিয়াৰ অন্যান্য বৃত্তান্ত, তেওঁৰ সকলো কাৰ্যৰ
বৰ্ণনা জানো “যিহূদাৰ ৰজাসকলৰ ইতিহাস” পুস্তকখনত লিখা নাই? ৭
পাছত উজ্জিয়া তেওঁৰ পূৰ্বপুৰুষসকলৰ লগত নিদ্ৰিত হ’ল আৰু দায়ুদৰ
নগৰত তেওঁৰ পূৰ্বপুৰুষৰে সৈতে তেওঁক মৈদাম দিয়া হ’ল। তেওঁৰ পুত্ৰ
যোথম তেওঁৰ পদত ৰজা হ’ল। ৮ যিহূদাৰ ৰজা অজৰিয়াৰ ৰাজত্বৰ
আঠত্ৰিশ বছৰত যাৰবিয়ামৰ পুত্ৰ জখৰিয়াই চমৰিয়াত ইস্ৰায়েলৰ
ৰজা হৈ ছমাহ ৰাজত্ব কৰিলে। ৯ তেওঁ তেওঁৰ পূৰ্বপুৰুষসকলৰ দৰেই
যিহোৱাৰ দৃষ্টিত যি বেয়া কাৰ্য, তাকেই কৰিলে। নবাটৰ পুতেক
যাৰবিয়ামে যি পাপবোৰৰ দ্বাৰাই ইস্ৰায়েলক পাপ কৰাইছিল, সেই
সকলো পাপৰ পৰা তেওঁ আঁতৰ নহ’ল। ১০ পাছত জখৰিয়াৰ বিৰুদ্ধে
যাবেচৰ পুত্ৰ চল্লুমে চক্ৰান্ত কৰিলে আৰু লোকসকলৰ সন্মুখতে তেওঁক
আঘাত কৰি বধ কৰিলে। তাৰ পাছত তেওঁৰ পদত নিজে ৰজা
হ’ল। ১১ জখৰিয়াৰ অন্যান্য বৃত্তান্ত “ইস্ৰায়েলৰ ৰজাসকলৰ ইতিহাস”
পুস্তকখনত লিখা আছে। ১২ যিহোৱাই যেহূৰ আগত যি কৈছিল,
“তোমাৰ বংশৰ চাৰি পুৰুষলৈকে ইস্ৰায়েলৰ সিংহাসনত বহিব” সেয়া
পূৰ্ণ হ’ল। ১৩ যিহূদাৰ ৰজা উজ্জিয়াৰ ৰাজত্বৰ ঊনচল্লিশ বছৰত
যাবেচৰ পুত্ৰ চল্লুম ৰজা হ’ল আৰু তেওঁ চমৰিয়াত সম্পূৰ্ণ এমাহ ৰাজত্ব
কৰিলে। ১৪ পাছত গাদীৰ পুত্ৰ মনহেমে তিৰ্চাৰ পৰা চমৰিয়ালৈ গৈ
যাবেচৰ পুত্ৰ চল্লুমক আক্ৰমণ কৰি তেওঁক বধ কৰিলে আৰু তেওঁৰ
পদত নিজে ৰজা হ’ল। ১৫ চল্লুমৰ অন্যান্য বৃত্তান্ত আৰু তেওঁৰ ষড়যন্ত্ৰৰ
কথা “ইস্ৰায়েলৰ ৰজাসকলৰ ইতিহাস” পুস্তকখনত লিখা আছে। ১৬
পাছত মনহেমে টিপহচ নগৰ আৰু তাত থকা সকলো অধিবাসীৰ লগতে
তিৰ্চাৰ চাৰিওকাষৰ সীমাবোৰ আক্ৰমণ কৰিলে; কাৰণ তেওঁলোকে
তেওঁলৈ নগৰৰ দুৱাৰ খুলি দিয়া নাছিল। সেইবাবেই তেওঁ টিপহচ
আক্ৰমণ কৰিছিল আৰু নগৰৰ সকলো গৰ্ভৱতী মহিলাৰ পেট ফালি
দিছিল। ১৭ যিহূদাৰ ৰজা অজৰিয়াৰ ৰাজত্বৰ ঊনচল্লিশ বছৰত গাদীৰ
পুত্ৰ মনহেম ইস্ৰায়েলৰ ৰজা হ’ল। তেওঁ চমৰিয়াত দহ বছৰ ৰাজত্ব
কৰিছিল। ১৮ যিহোৱাৰ দৃষ্টিত যি বেয়া, তেওঁ তাকে কৰিছিল। নবাটৰ

পুত্র যাৰবিয়ামে ইস্রায়েলৰ দ্বাৰাই যিবোৰ পাপ কৰাইছিল, তেওঁৰ
জীৱনকালত সেই সকলো পাপ কাৰ্যৰ পৰা তেওঁ আঁতৰি অহা নাছিল।
১৯ তাৰ পাছত অচুৰৰ ৰজা পুল ইস্রায়েল দেশৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ
আহিল। তেতিয়া ৰজা মনহেমে ইস্রায়েল ৰাজ্য সুস্থিৰ ৰাখিবৰ কাৰণে
পুলৰ সহায় যেন তেওঁৰ লগত থাকে, তাৰ বাবে তেওঁ পুলক এক
হাজাৰ কিক্কৰ ৰূপ দি নিজৰ পক্ষ কৰি ল'লে। ২০ মনহেমে এই ধন
ইস্রায়েলত থকা প্ৰত্যেক ধনী-প্ৰতিপত্তিশালী ব্যক্তিসকলৰ পৰা দাবী
কৰি আদায় কৰিছিল। অচুৰৰ ৰজাক দিবৰ কাৰণে প্ৰত্যেকে পঞ্চাশ
চেকলকৈ ৰূপ মনহেমক দিব লাগিছিল। তাতে অচূৰৰ ৰজাই ইস্রায়েল
দেশ এৰি গুছি গ'ল। ২১ মনহেমৰ অন্যান্য বৃত্তান্ত, তেওঁৰ সকলো
কাৰ্যৰ কথা "ইস্রায়েলৰ ৰজাসকলৰ ইতিহাস" পুস্তকখনত জানো লিখা
নাই? ২২ পাছত মনহেম তেওঁৰ পূৰ্বপুৰুষসকলৰ লগত নিদ্ৰিত হ'ল
আৰু তেওঁৰ পুত্ৰ পকহিয়া তেওঁৰ পদত ৰজা হ'ল। ২৩ যিহূদাৰ ৰজা
অজৰিয়াৰ ৰাজত্বৰ পঞ্চাশ বছৰত মনহেমৰ পুত্ৰ পকহিয়াই চমৰিয়াত
ইস্রায়েলৰ ৰজা হৈ দুবছৰ ৰাজত্ব কৰিলে। ২৪ যিহোৱাৰ দৃষ্টিত যি
বেয়া, পকহিয়াই তাকে কৰিলে। নবাটৰ পুত্ৰ যাৰবিয়ামে ইস্রায়েলৰ
দ্বাৰাই যি সকলো পাপ কাৰ্য কৰাইছিল, সেই সকলো পাপ কাৰ্যৰ পৰা
তেওঁ আঁতৰ হোৱা নাছিল। ২৫ পাছত ৰমলিয়াৰ পুত্ৰ পেকহ নামেৰে
তেওঁৰ এজন সেনাপতিয়ে তেওঁৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰিলে। পেকহে
গিলিয়দৰ পঞ্চাশজন লোকক লগত লৈ চমৰিয়াত ৰাজগৃহৰ দুৰ্গত
ৰজা পকহিয়াৰ সৈতে অৰ্গোব আৰু অৰিয়ক বধ কৰিলে। সেনাপতিয়ে
তেওঁক এইদৰে বধ কৰি তেওঁৰ পদত নিজে ৰজা হ'ল। ২৬ পকহিয়াৰ
অন্যান্য বৃত্তান্ত, তেওঁৰ সকলো কাৰ্যৰ কথা "ইস্রায়েলৰ ৰজাসকলৰ
ইতিহাস" পুস্তকখনত লিখা আছে। ২৭ যিহূদাৰ ৰজা অজৰিয়াৰ
ৰাজত্বৰ বাৱন্ন বছৰত ৰমলিয়াৰ পুত্ৰ পেকহ চমৰিয়াত ইস্রায়েলৰ ৰজা
হ'ল। তেওঁ বিশ বছৰ ৰাজত্ব কৰিছিল। ২৮ যিহোৱাৰ দৃষ্টিত যি বেয়া,
তেওঁ তাকে কৰিছিল। নবাটৰ পুত্ৰ যাৰবিয়ামে ইস্রায়েলৰ দ্বাৰাই যি
সকলো পাপ কাৰ্য কৰাইছিল, পেকহ সেই সকলো পাপ কাৰ্যৰ পৰা
আঁতৰ হোৱা নাছিল। ২৯ ইস্রায়েলৰ ৰজা পেকহৰ সময়ত অচুৰৰ ৰজা

তিগ্লৎ-পিলেচৰে আহি ইয়োন, আবেল-বৈৎমাখা, যানোহ, কেদচ,
হাচোৰ, গিলিয়দ, আৰু গালীল আৰু নপ্তালীৰ সকলো এলেকা অধিকাৰ
কৰি ল'লে আৰু লোকসকলক বন্দী কৰি অচূৰলৈ লৈ গ'ল। ৩০ পাছত
উজ্জিয়াৰ পুত্ৰ যোথমৰ ৰাজত্বৰ বিশ বছৰত এলাৰ পুত্ৰ হোচেয়াই
ৰমলিয়াৰ পুত্ৰ পেকহৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰিলে আৰু তেওঁক বধ কৰি
তেওঁৰ পদত নিজে ৰজা হ'ল। ৩১ পেকহৰ আন্যান্য বৃত্তান্ত, তেওঁৰ
সকলো কাৰ্যৰ কথা "ইস্ৰায়েলৰ ৰজাবিলাকৰ ইতিহাস" পুস্তকখনত
লিখা আছে। ৩২ ৰমলিয়াৰ পুত্ৰ ইস্ৰায়েলৰ ৰজা পেকহৰ ৰাজত্বৰ
দ্বিতীয় বছৰত যিহূদাৰ ৰজা উজ্জিয়াৰ পুত্ৰ যোথমে ৰাজত্ব কৰিবলৈ
ধৰিলে। ৩৩ তেওঁ পঁচিশ বছৰ বয়সত ৰজা হৈছিল আৰু ষোল্ল বছৰ
যিৰূচালেমত ৰাজত্ব কৰিছিল। তেওঁৰ মাকৰ নাম আছিল যিৰূচা। তেওঁ
চাদোকৰ জীয়েক আছিল। ৩৪ তেওঁৰ পিতৃ উজ্জিয়াৰ নিদৰ্শনত চলি
যিহোৱাৰ দৃষ্টিত যি ন্যায়, যোথমে তাকে কৰিছিল। ৩৫ কিন্তু ওখ ঠাইৰ
মঠবোৰ তেওঁ দূৰ কৰা নাছিল। লোকসকলে তেতিয়াও মঠবোৰত বলি
উৎসৰ্গ কৰি ধূপ জ্বলাইছিল। যোথমে যিহোৱাৰ গৃহৰ ওপৰৰ দুৱাৰখন
নিৰ্ম্মাণ কৰিলে। ৩৬ যোথমৰ অন্যান্য বৃত্তান্ত, তেওঁৰ সকলো কাৰ্যৰ
কথা জানো "যিহূদাৰ ৰজাসকলৰ ইতিহাস" পুস্তকখনত লিখা নাই?
৩৭ সেই কালত, যিহোৱাই যিহূদাৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ অৰামৰ
ৰজা ৰচীন আৰু ৰমলিয়াৰ পুত্ৰ পেকহক পঠাবলৈ আৰম্ভ কৰিলে।
৩৮ পাছত যোথম তেওঁৰ পূৰ্বপুৰুষসকলৰ লগত নিদ্ৰিত হ'ল। তেওঁক
দায়ূদৰ নগৰত তেওঁৰ পূৰ্বপুৰুষসকলৰ লগত মৈদাম দিয়া হ'ল আৰু
তেওঁৰ পুত্ৰ আহজ তেওঁৰ পদত ৰজা হ'ল।

**১৬** ইস্ৰায়েলত ৰমলিয়াৰ পুত্ৰ পেকহৰ সোঁতৰ বছৰ বয়সৰ সময়ত,
যিহূদাত যোথমৰ পুত্ৰ আহজে ৰাজত্ব আৰম্ভ কৰিছিল। ২ আহজ বিশ
বছৰ বয়সত ৰজা হৈছিল আৰু ষোল্ল বছৰ ধৰি তেওঁ যিৰূচালেমত
ৰাজত্ব কৰিছিল; পূৰ্বপুৰুষ দায়ূদে যেনেকৈ তেওঁৰ ঈশ্বৰ যিহোৱাৰ
দৃষ্টিত ভাল কাৰ্য কৰিছিল, ৰজা আহজে তেনে কাৰ্য কৰা নাছিল।
৩ কিন্তু তাৰ পৰিবৰ্তে তেওঁ ইস্ৰায়েলৰ ৰজাসকলৰ পথত চলিছিল;
এনেকি যিহোৱাই যি সকলোক জাতিক ইস্ৰায়েলীয়াসকলৰ পৰা দূৰ

কৰিছিল, তেওঁলোকৰ ঘিণলগীয়া ৰীতিবোৰৰ দৰে তেৰোঁ নিজৰ
পুত্ৰক হোমবলি উৎসৰ্গ কৰিছিল। ৪ তেওঁ পূজাৰ ওখ ঠাইবোৰত,
পাহাৰৰ ওপৰত আৰু প্ৰত্যেক সেউজীয়া ডাল-পাতৰ গছৰ তলত
বলি উৎসৰ্গ কৰিছিল আৰু ধূপ জ্বলাইছিল। ৫ অৰামৰ ৰজা ৰচীন
আৰু ৰমলিয়াৰ পুত্ৰ ইস্ৰায়েলৰ ৰজা পেকহে যিৰূচালেমৰ বিৰুদ্ধে
যুদ্ধ কৰিবলৈ যিৰূচালেমলৈকে আহিল আৰু ৰজা আহজৰ সৈতে
নগৰখন বেৰি ধৰিলে; কিন্তু আহজক জয় কৰিব নোৱাৰিলে। ৬ সেই
সময়ত অৰামৰ ৰজা ৰচীনে এলৎ নগৰৰ পৰা যিহুদী লোকসকলক
খেদাই দি এলৎ নগৰ পুণৰায় অৰামৰ অধীনলৈ আনিলে। তাৰ পাছত
ইদোমীয়াসকলে এলতলৈ আহি বাস কৰিবলৈ ধৰিলে আৰু আজিলৈকে
তেওঁলোকে তাত নিবাস কৰি আছে। ৭ পাছত আহজে অচূৰৰ ৰজা
তিগ্লৎ-পিলেচৰ ওচৰলৈ এই কথা ক'বলৈ মানুহ পঠিয়াই দিলে, "মই
আপোনাৰ দাস আৰু আপোনাৰ পুত্ৰ হওঁ; অৰামৰ ৰজা আৰু ইস্ৰায়েলৰ
ৰজাই মোক আক্ৰমণ কৰিছে। আপুনি আহি তেওঁলোকৰ হাতৰ পৰা
মোক উদ্ধাৰ কৰক।" ৮ আহজে যিহোৱাৰ গৃহ আৰু ৰাজগৃহৰ ভঁৰালত
পোৱা সোণ আৰু ৰূপ লৈ উপহাৰ হিচাবে অচূৰৰ ৰজাৰ ওচৰলৈ
পঠিয়াই দিলে। ৯ তেতিয়া অচূৰৰ ৰজাই তেওঁৰ কথাত মান্তি হ'ল
আৰু দম্মেচকৰ বিৰুদ্ধে যুদ্ধযাত্ৰা কৰি তাক জয় কৰিলে। সেই ঠাইৰ
লোকসকলক বন্দী কৰি কীৰলৈ লৈ গ'ল আৰু অৰামৰ ৰজা ৰচীনক বধ
কৰিলে। ১০ পাছত ৰজা আহজে অচূৰৰ ৰজা তিগ্লৎ-পিলেচক সাক্ষাৎ
কৰিবলৈ দম্মেচকলৈ গ'ল; তেওঁ দম্মেচকত এটা যজ্ঞবেদী দেখি তাৰ
নক্সা, নমুনাৰ লগতে সেইটো তৈয়াৰ কৰাৰ সম্পূৰ্ণ পৰিকল্পনা ঊৰিয়া
পুৰোহিতৰ ওচৰলৈ পঠাই দিলে। ১১ সেয়ে দম্মেচকৰ পৰা ৰজা
আহজে পঠোৱা সকলো পৰিকল্পনাৰ দৰেই ঊৰিয়া পুৰোহিতে এটা
যজ্ঞবেদী নিৰ্ম্মাণ কৰিলে আৰু ৰজা আহজ দম্মেচকলৈ উলটি অহাৰ
আগেয়ে, সেই কাম কৰি শেষ কৰিলে। ১২ দম্মেচকৰ পৰা ঘূৰি আহি
ৰজাই সেই যজ্ঞবেদী দেখিলে আৰু ওচৰলৈ গৈ তাৰ ওপৰত বলি
উৎসৰ্গ কৰিলে। ১৩ তেওঁ সেই যজ্ঞবেদীৰ ওপৰত নিজৰ হোমবলি,
শস্য উৎসৰ্গ আৰু নিজৰ পেয় উৎসৰ্গ ঢালিলে; নিজৰ সমজুৱা বলিৰ

তেজো ছটিয়াই দিলে। ১৪ তেওঁ যিহোৱাৰ সন্মুখত থকা পিতলৰ
যজ্ঞবেদীটো তেওঁ মন্দিৰৰ আগৰ পৰা, অৰ্থাৎ যিহোৱাৰ গৃহ আৰু
নতুন বেদীৰ মাজ ঠাইৰ পৰা আঁতৰাই আনি নতুন বেদীৰ উত্তৰ ফালে
স্থাপন কৰিলে। ১৫ পাছত আহজ ৰজাই ঊৰিয়া পুৰোহিতক এই
নিৰ্দেশ দিলে যে, "ডাঙৰ বেদীটোৰ ওপৰত ৰাতিপুৱাৰ হোমবলি
আৰু সন্ধিয়া শস্য উৎসৰ্গ কৰিব; তাৰ উপৰি ৰজাৰ হোমবলি আৰু
শস্য উৎসৰ্গ, দেশৰ সকলো লোকৰ হোমবলি, তেওঁলোকৰ শস্য
আৰু পেয় উৎসৰ্গ কৰিব; সকলো হোমবলি আৰু আন আন সকলো
বলি উৎসৰ্গৰ তেজ আপুনি সেই যজ্ঞবেদীৰ ওপৰত ছটিয়াই দিব।
কিন্তু পিতলৰ যজ্ঞবেদীটো ঈশ্বৰৰ সহায় লাভৰ অৰ্থে মই ব্যৱহাৰ
কৰিম।" ১৬ ঊৰিয়া পুৰোহিতে আহজ ৰজাৰ নিৰ্দেশ অনুসাৰে সকলো
কাম কৰিলে। ১৭ তাৰ পাছত ৰজা আহজে পাত্ৰ থোৱা আধাৰবোৰৰ
খলাপা আৰু প্ৰক্ষালন পাত্ৰবোৰ আধাৰবোৰৰ পৰা আতৰালে। তেওঁ
পিতলেৰে তৈয়াৰী ষাঁড়বোৰৰ ওপৰত যি ডাঙৰ সমুদ্ৰ পাত্ৰটো বহোৱা
আছিল, সেইটোও তেওঁ নমাই আনিলে আৰু এটা শিলৰ ভিত্তিৰ ওপৰত
বহুৱালে। ১৮ যিহোৱাৰ গৃহত বিশ্ৰাম দিনৰ উদ্দেশ্যে মন্দিৰত চালি
দি তেওঁলোকে যি ঠাই তৈয়াৰ কৰিছিল, অচূৰৰ ৰজাৰ ভয়ত ৰজা
আহজে সেই চালি খুলি পেলালে আৰু যিহোৱাৰ গৃহৰ বাহিৰৰ ফালে
ৰজা সোমাবৰ কাৰণে যি বিশেষ প্ৰৱেশদ্বাৰ কৰা হৈছিল, তাকো বন্ধ
কৰি দিলে। ১৯ ৰজা আহজৰ অন্যান্য সকলো কাৰ্যৰ বৃত্তান্ত "যিহূদাৰ
ৰজাসকলৰ ইতিহাস" পুস্তকখনত জানো লিখা নাই? ২০ পাছত ৰজা
আহজ তেওঁৰ পূৰ্বপুৰুষসকলৰ লগত নিদ্ৰিত হ'ল আৰু দায়ুদৰ নগৰত
তেওঁৰ পূৰ্বপুৰুষসকলৰ লগত তেওঁক মৈদাম দিয়া হ'ল; তেওঁৰ পদত
তেওঁৰ পুত্ৰ হিষ্কিয়া ৰজা হ'ল।

১৭ যিহূদাৰ ৰজা আহজৰ ৰাজত্বৰ বাৰ বছৰৰ সময়ত এলাৰ পুত্ৰ
হোচেয়াই চমৰিয়াত ইস্ৰায়েলৰ ৰজা হৈছিল। তেওঁ ন বছৰ ৰাজত্ব
কৰিছিল। ২ যিহোৱাৰ দৃষ্টিত যি বেয়া, তেওঁ তাকেই কৰিছিল, যদিও
ইস্ৰায়েলৰ আগৰ ৰজাসকলে কৰাৰ দৰে তেওঁ নাছিল। ৩ অচূৰৰ ৰজা
চল্মনেচৰে আক্ৰমণ কৰি হোচেয়াক পৰাজয় কৰিলে; তাতে হোচেয়া

তেওঁৰ অধীনৰ ৰজা হোৱাত তেওঁলৈ ৰাজহ আনিছিল। ৪ পাছত অচূৰৰ
ৰজাই বুজি পালে যে, হোচেয়াই তেওঁৰ বিৰুদ্ধে ষড়যন্ত্ৰ ৰচনা কৰিছে,
কিয়নো তেওঁ মিচৰৰ চো ৰজা ওচৰলৈ বাৰ্তাবাহকসকলক পঠাইছিল
আৰু অচূৰৰ ৰজাক বছৰে বছৰে যি ৰাজহ দিছিল, সেয়া পুনৰ দিয়া
নাছিল। সেইবাবেই অচূৰৰ ৰজাই তেওঁক ধৰি নি কাৰাগাৰত বন্দী
কৰি থৈছিল। ৫ তাৰ পাছত অচূৰৰ ৰজাই গোটেই দেশ আক্ৰমণ কৰি
চমৰিয়ালৈকে গ'ল আৰু তিনি বছৰলৈকে তাক অৱৰোধ কৰিলে।
৬ হোচেয়াৰ ৰাজত্বৰ নৱম বছৰৰ সময়ত অচূৰৰ ৰজাই চমৰিয়া
দখল কৰিলে আৰু ইস্ৰায়েলীয়াসকলক বন্দী কৰি অচূৰ দেশলৈ লৈ
গ'ল। তেওঁলোকক তেওঁ হলহত, গোজনৰ নদী হাবোৰৰ পাৰত আৰু
মাদীয়াসকলৰ নগৰবোৰত বাস কৰিবলৈ দিলে। ৭ এই সকলো
ঘটিছিল, কাৰণ যদিও ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাই তেওঁলোকক
মিচৰৰ ৰজা ফৰৌণৰ অধীনৰ পৰা বাহিৰ কৰি মিচৰ দেশৰ পৰা
লৈ আনিছিল, তথাপিও তেওঁলোকে তেওঁলোকৰ ঈশ্বৰ যিহোৱাৰ
বিৰুদ্ধে পাপ কৰিছিল। তেওঁলোকে আন দেৱ-দেৱীৰ পূজা কৰিছিল।
৮ যি জাতিবোৰক যিহোৱাই ইস্ৰায়েলৰ সন্মুখৰ পৰা দূৰ কৰিছিল,
তেওঁলোকৰ ৰীতি-নীতি আৰু নিজৰ ৰজাসকলে স্থাপন কৰা ৰীতিত
তেওঁলোক চলিছিল। ৯ ইস্ৰায়েলীয়াসকলে গোপনে ঈশ্বৰ যিহোৱাৰ
বিৰুদ্ধে অনুচিত কাৰ্যবোৰ কৰিছিল। প্ৰহৰীৰ ওখ মিনাৰৰ পৰা গড়েৰে
আবৃত নগৰলৈকে তেওঁলোকৰ সকলো নগৰত ওখ মঠবোৰ নিৰ্মাণ
কৰিছিল। ১০ তেওঁলোকে প্ৰত্যেকটো ওখ পাহাৰৰ ওপৰত আৰু
সেউজীয়া ডাল পাতেৰে ভৰা প্ৰত্যেকজোপা গছৰ তলত পূজা কৰা
শিলৰ স্তম্ভ আৰু আচেৰা মূৰ্তিবোৰ স্থাপন কৰিছিল। ১১ যি জাতি
সমূহক যিহোৱাই তেওঁলোকৰ সন্মুখৰ পৰা দূৰ কৰিছিল, সেই
জাতিৰ লোকসকলৰ দৰে ইস্ৰায়েলীয়াসকলেও এই ওখ মঠবোৰত
ধূপ জ্বলাইছিল। তেওঁলোকে দুষ্ট কৰ্মবোৰ কৰি যিহোৱাক ক্ৰোধিত
কৰিছিল; ১২ তেওঁলোকে মূৰ্তি পূজা কৰিছিল, যদিও যিহোৱাই
তেওঁলোকক কৈছিল যে, "তোমালোকে এনে কাৰ্য নকৰিবা।" ১৩
যিহোৱাই তেওঁৰ সকলো ভাববাদী আৰু দৰ্শকসকলৰ মাধ্যমেদি

ইস্ৰায়েল আৰু যিহূদা দেশক এই বুলি সাৱধান কৰি দিছিল, “তোমালোক
সকলো কু-পথৰ পৰা ঘূৰা; মোৰ সকলো আজ্ঞা আৰু বিধি-বিধান
অনুসাৰে চলা। মোৰ দাস ভাৱবাদীসকলক পঠাই তেওঁলোকৰ দ্বাৰাই
মই যি সকলো বিধি-বিধান তোমালোকৰ পূৰ্বপুৰুষসকলক দিছিলোঁ,
সেই সকলো বিধান যত্নেৰে পালন কৰা।” ১৪ তথাপিও তেওঁলোকে
সেই কথা নুশুনিলে। ঈশ্বৰ যিহোৱাত বিশ্বাস নকৰা তেওঁলোকৰ
পূৰ্বপুৰুষসকলৰ নিচিনাকৈ তেওঁলোক আঁকোৰ-গোঁজ হৈ থাকিল। ১৫
তেওঁলোকে যিহোৱাৰ বিধিবোৰ, তেওঁলোকৰ পূৰ্বপুৰুষসকলৰ সৈতে
স্থাপন কৰা তেওঁৰ বিধান আৰু তেওঁলোকক দিয়া তেওঁৰ সাৱধান বাণী
মানিবলৈ অস্বীকাৰ কৰিছিল। তেওঁলোকে অসাৰ মূৰ্তিবোৰৰ পাছত
চলি নিজেও অসাৰ হৈ পৰিছিল। যিহোৱাই তেওঁলোকক যি লোক
সমূহৰ দৰে চলিবলৈ নিষেধ কৰিছিল, তেওঁলোকে নিজৰ চাৰিওফালে
থকা সেই জাতি সমূহৰ দৰেই চলিছিল। ১৬ তেওঁলোকে তেওঁলোকৰ
ঈশ্বৰ যিহোৱাৰ সকলো আজ্ঞা অগ্ৰাহ্য কৰি, নিজৰ নিমিত্তে পূজা
কৰিবলৈ সাঁচত ঢলা দুটা দামুৰিৰ মূৰ্তি, এটা আচেৰা মূৰ্তি সাজিছিল;
তেওঁলোকে আকাশৰ সকলো তৰা আৰু বাল দেৱতাৰ সেৱা-পূজা
কৰিছিল। ১৭ নিজৰ ল’ৰা-ছোৱালীবোৰক তেওঁলোকে হোমবলিৰূপে
উৎসৰ্গ কৰিছিল; ভৱিষ্যত জনাৰ বাবে তেওঁলোকে মঙ্গল চোৱা কাৰ্য ও
মায়াকৰ্মৰ অভ্যাস কৰিছিল; যিহোৱাৰ দৃষ্টিত যি বেয়া, সেই সকলোকে
কৰিবলৈ তেওঁলোকে নিজক বিক্ৰী কৰি যিহোৱাক ক্ৰোধিত কৰি
তুলিছিল। ১৮ এই হেতুকে ইস্ৰায়েলী লোকসকলৰ ওপৰত যিহোৱা
অতিশয় ক্ৰোধিত হ’ল আৰু তেওঁলোকক নিজৰ সন্মুখৰ পৰা দূৰ
কৰিলে; কেৱল যিহূদা গোষ্ঠীৰ বাহিৰে কোনো বাকী নাথাকিল। ১৯
কিন্তু যিহূদা ফৈদেও তেওঁলোকৰ ঈশ্বৰ যিহোৱাৰ আজ্ঞা অনুসাৰে
নচলি, ইস্ৰায়েলে যি যি কৰিছিল তাকে অনুসৰণ কৰিছিল। ২০
সেয়ে যিহোৱাই ইস্ৰায়েলৰ সকলো বংশকে অগ্ৰাহ্য কৰিলে আৰু
নিজৰ সন্মুখৰ পৰা তেওঁলোকক দূৰ নকৰালৈকে, তেওঁ তেওঁলোকক
কষ্ট দি আছিল; লুট কৰোঁতা সকলৰ হাতত তেওঁলোকক শোধাই
দিছিল। ২১ যিহোৱাই ইস্ৰায়েলীসকলক দায়ুদৰ ৰাজকীয় বংশৰ পৰা

যেতিয়া কাঢ়ি লৈ বেলেগ কৰিছিল, তেতিয়া তেওঁলোকে নবাটৰ পুত্ৰ
যাৰবিয়ামক ৰজা পাতিছিল। সেই যাৰবিয়ামে ইস্ৰায়েলী লোকসকলক
যিহোৱাৰ নিৰ্দেশিত পথত চলাৰ পৰা আঁতৰাই নি তেওঁলোকৰ দ্বাৰাই
মহাপাপ কৰাইছিল। ২২ ইস্ৰায়েলৰ লোকসকলে যাৰবিয়ামে কৰা
সকলো পাপ কাৰ্যকে অনুসৰণ কৰি চলিছিল। সেইবোৰৰ পৰা ঘূৰি
অহা নাছিল। ২৩ এইদৰে যিহোৱাই তেওঁৰ সকলো দাস অৰ্থাৎ
ভাববাদীসকলৰ যোগেদি দিয়া সাৱধান বাণী অনুসাৰে নিজৰ সন্মুখৰ
পৰা ইস্ৰায়েলক দূৰ কৰিলে। এইকাৰণেই ইস্ৰায়েলৰ লোকসকলক
তেওঁলোকৰ নিজৰ দেশৰ পৰা অচূৰ দেশলৈ নিয়া হ'ল। আজিলৈকে
তেওঁলোক সেই ঠাইতে আছে। ২৪ অচূৰৰ ৰজাই ইস্ৰায়েলীসকলৰ
সলনি বেবিলন, কূথা, অব্বা, হমাৎ আৰু চফৰ্বয়িমৰ পৰা লোক আনি
চমৰীয়াৰ নগৰবোৰত বাস কৰিবলৈ দিলে; তেওঁলোকে চমৰিয়া
অধিকাৰ কৰি তাৰ নগৰবোৰত বসতি কৰিবলৈ ধৰিলে। ২৫ সেই
ঠাইত বসতি কৰাৰ আৰম্ভণীতে, তেওঁলোকে যিহোৱাক ভয় কৰা
নাছিল; এই হেতুকে যিহোৱাই তেওঁলোকৰ মাজলৈ সিংহ পঠাই দিলে
আৰু সেইবোৰে তেওঁলোকৰ কিছুমানক মাৰি পেলালে। ২৬ তেতিয়া
অচূৰৰ ৰজাৰ আগত তেওঁলোকে ক'লে, "আপুনি যি জাতিবোৰক
আনি চমৰিয়াত বাস কৰিবৰ কাৰণে পঠাই দিলে, তেওঁলোকে সেই
দেশৰ ঈশ্বৰক কেনেদৰে উপাসনা কৰিব লাগে, তাক নাজানে। সেয়ে
ঈশ্বৰে তেওঁলোকৰ মাজলৈ সিংহ পঠালে আৰু সেইবোৰে লোকসকলক
মাৰি আছে, কিয়নো তেওঁলোকে সেই দেশৰ ঈশ্বৰৰ নিয়ম প্ৰণালী
নাজানে।" ২৭ তেতিয়া অচূৰৰ ৰজাই এই আজ্ঞা দিলে, "তাৰ পৰা
অনা পুৰোহিতসকলৰ এজনক তালৈ যাবলৈ দিয়া আৰু তেওঁ গৈ
তাত বসতি কৰক। তেওঁ সেই দেশৰ ঈশ্বৰক কেনেদৰে উপাসনা
কৰিব লাগে, তাক শিকাওক।" ২৮ সেয়ে চমৰিয়াৰ পৰা লৈ যোৱা
পুৰোহিতসকলৰ মাজৰ এজনে আহি বৈৎএলত নিবাস কৰিলে আৰু
কেনেকৈ তেওঁলোকে যিহোৱাক উপাসনা কৰিব লাগে, তাক তেওঁ
শিকালে। ২৯ তথাপিও প্ৰত্যেক জাতিৰ লোকসকলে যি যি নগৰত
বাস কৰিছিল, তেওঁলোকে সেই নগৰবোৰত নিজৰ নিজৰ দেৱতাবোৰ

নিৰ্মাণ কৰিলে আৰু চমৰিয়াৰ লোকসকলে নিৰ্মাণ কৰা ওখ ঠাইৰ
মঠবোৰত সেইবোৰ ৰাখিলে। ৩০ সেইদৰে বেবিলনৰ লোকসকলে
চক্কোৎ-বনোতৰ মূৰ্তি, কুথৰ লোকসকলে নেৰ্গলৰ মূৰ্তি, হমাতৰ
লোকসকলে অচীমা মূৰ্তি সাজিলে; ৩১ অব্বিয়াসকলে নিভজ আৰু
তৰ্তকৰ মূৰ্তি সাজিলে; অদ্ৰম্মেলক আৰু অনম্মেলক নামৰ চফৰ্বয়িমৰ
দেৱতাবোৰৰ উদ্দেশ্যে চফৰ্বয়িমৰ লোকসকলে তেওঁলোকৰ নিজৰ
সন্তান সকলক জুইত পুৰি উৎসৰ্গ কৰিলে। ৩২ তেওঁলোকে যিহোৱাৰো
উপাসনা কৰিছিল। উপাসনাৰ ওখ ঠাইৰ মঠবোৰত পুৰোহিতৰ
কাৰ্য কৰিবৰ কাৰণে নিজৰ মাজৰ পৰাই লোক নিযুক্ত কৰিছিল;
সেই পুৰোহিতসকলে তেওঁলোকৰ বাবে ওখ ঠাইৰ মঠ-মন্দিৰবোৰত
বলি উৎসৰ্গ কৰিছিল। ৩৩ তেওঁলোকে যিহোৱাক উপাসনা কৰাৰ
লগতে যি জাতিবোৰৰ মাজৰ পৰা তেওঁলোকক লৈ অনা হৈছিল, সেই
জাতিবোৰৰ নিয়ম-প্ৰণালী অনুসাৰে নিজৰ দেৱতাবোৰৰো পূজা-অৰ্চনা
কৰিছিল। ৩৪ আজিলৈকে তেওঁলোকে সেই পূৰ্বকালৰ নিয়ম-প্ৰণালী
মানি চলি আছে। তেওঁলোকে প্ৰকৃতাৰ্থত যিহোৱাক উপাসনা নকৰে,
কাৰণ যিহোৱাই যি যাকোবৰ নাম ইস্ৰায়েল ৰাখিছিল, সেই যাকোবৰ
সন্তান সকলৰ বিধি বা নিৰ্দেশ বা বিধান বা যিহোৱাই তেওঁলোকক
দিয়া আজ্ঞা অনুসাৰে তেওঁলোকে কাৰ্য নকৰে। ৩৫ যাকোবৰ সৈতে
যিহোৱাই ইস্ৰায়েলসকলৰ কাৰণে এটি নিয়ম স্থাপন কৰি তেওঁলোকক
এই আজ্ঞা দিছিল, “তোমালোকে আন কোনো দেৱ-দেবীক ভয়
নকৰিবা বা তেওঁলোকৰ আগত প্ৰণিপাত নকৰিবা আৰু তেওঁলোকক
সেৱা-পূজা বা তেওঁলোকৰ উদ্দেশ্যে বলিদান নকৰিবা। ৩৬ কিন্তু
যিহোৱাই, যি জনে মহা-পৰাক্ৰমেৰে আৰু মেলা বাহুৰে মিচৰ দেশৰ
পৰা তোমালোকক উলিয়াই আনিলে, তোমালোকে সেই যিহোৱাৰেই
উপাসনা কৰিবা; তেওঁকেই প্ৰণিপাত কৰিবা আৰু তেওঁৰেই উদ্দেশ্যে
বলি উৎসৰ্গ কৰিবা। ৩৭ তেওঁ যি সকলো বিধি, নিৰ্দেশ, বিধান
আৰু আজ্ঞা তোমালোকৰ কাৰণে লিখি দিছিল তাক তোমালোকে
সদায় পালন কৰিবা। গতিকে তোমালোকে আন দেৱতাবোৰলৈ ভয়
নকৰিবা। ৩৮ মই তোমালোকে সৈতে কৰা নিয়মটি তোমালোকে

নাপাহৰিবা আৰু আন দেৱতাবোৰৰ উপাসনা নকৰিবা। ৩৯ কিন্তু
তোমালোকৰ ঈশ্বৰ যিহোৱাকেই তোমালোকে উপাসনা কৰিবা;
তাতে তেৱেঁই তোমালোকক তোমালোকৰ সকলো শত্ৰুৰ শক্তিৰ পৰা
উদ্ধাৰ কৰিব।" ৪০ তথাপিও তেওঁলোকে সেই কথালৈ কাণ নিদিলে;
তেওঁলোকে পূৰ্বে যিদৰে কৰিছিল, সেই অনুসাৰেই চলি থাকিল। ৪১
এইদৰে সেই জাতি সমূহে যিহোৱাক ভয় কৰিছিল আৰু তেওঁলোকৰ
কটা-প্ৰতিমাকো পূজা কৰিছিল; তেওঁলোকৰ পূৰ্বপুৰুষসকলে যেনেকৈ
কৰিছিল, তেওঁলোকৰ নাতি-পুতিসকলেও তেনেকৈ আজিলৈকে কৰি
আহিছে।

**১৮** এলাৰ পুত্ৰ ইস্ৰায়েলৰ ৰজা হোচেয়াৰ ৰাজত্বৰ তৃতীয় বছৰত,
যিহূদাৰ ৰজা আহজৰ পুত্ৰ হিষ্কিয়াই ৰাজত্ব কৰিবলৈ আৰম্ভ কৰিছিল।
২ তেওঁ পঁচিশ বছৰ বয়সত ৰজা হৈছিল আৰু যিৰূচালেমত ঊনত্ৰিশ
বছৰ ৰাজত্ব কৰিছিল; তেওঁৰ মাকৰ নাম আছিল অবী। তেওঁ জখৰীয়াৰ
জীয়েক আছিল। ৩ হিষ্কিয়াই তেওঁৰ পূৰ্বপুৰুষ দায়ুদে কৰাৰ দৰেই
যিহোৱাৰ দৃষ্টিত যি ভাল সেই সকলোকে কৰিছিল। ৪ তেওঁ ওখ ঠাইৰ
মঠবোৰ আতৰালে, স্তম্ভবোৰ ভাঙি পেলালে আৰু আচেৰা মুৰ্ত্তিবোৰ
কাটি পেলালে। মোচিয়ে নিৰ্ম্মাণ কৰা পিতলৰ সাপটো তেওঁ ডোখৰ
ডোখৰ কৈ ভাঙি পেলালে, কিয়নো সেই কালত ইস্ৰায়েলী লোকসকলে
তাৰ উদ্দেশ্যে ধূপ জ্বলাইছিল। পিতলৰ সাপটোৰ নাম "নহুষ্টন" ৰখা
হৈছিল। ৫ হিষ্কিয়াই ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাৰ ওপৰত ভাৰসা
কৰিছিল। তেওঁৰ আগত বা পাছত যিহূদাৰ ৰজাসকলৰ মাজত তেওঁৰ
নিচিনা কোনো নাছিল। ৬ যিহোৱাৰ লগত তেওঁ লাগি আছিল আৰু
তেওঁৰ পাছত চলিবলৈ এৰা নাছিল। যিহোৱাই মোচিক যি যি আজ্ঞা
দিছিল, সেই সকলো তেওঁ পালন কৰিছিল। ৭ সেয়ে যিহোৱা তেওঁৰ
সঙ্গে সঙ্গে আছিল; তেওঁ য'লৈকে গৈছিল, তাতেই তেওঁ সফল হৈছিল;
তেওঁ অচূৰৰ ৰজাৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছিল আৰু তেওঁৰ অধীনত
থাকিবলৈ অস্বীকাৰ কৰিছিল। ৮ তেওঁ গাজা আৰু তাৰ চাৰিসীমালৈকে,
প্ৰহৰীসকলৰ ওখ মিনাৰৰ পৰা গড়েৰে আবৃত নগৰলৈকে বসবাস কৰা
পলেষ্টীয়াসকলক আক্ৰমণ কৰি পৰাজয় কৰিছিল। ৯ যিহূদাৰ ৰজা

হিষ্কিয়াৰ ৰাজত্বৰ চতুৰ্থ বছৰত, অৰ্থাৎ এলাৰ পুত্ৰ ইস্ৰায়েলৰ ৰজা
হোচেয়াৰ ৰাজত্বৰ সপ্তম বছৰত, অচূৰৰ ৰজা চল্মনেচৰে চমৰিয়াৰ
বিৰুদ্ধে আহি নগৰখন অৱৰোধ কৰিলে। ১০ তিনি বছৰ অৱৰোধ
কৰি ৰখাৰ পাছত হিষ্কিয়াৰ ৰাজত্বৰ ছয় বছৰত আৰু ইস্ৰায়েলৰ
ৰজা হোচেয়াৰ ৰাজত্বৰ নৱম বছৰত অচূৰে চমৰিয়া দখল কৰি
ল’লে। ১১ অচূৰৰ ৰজাই ইস্ৰায়েলী লোকসকলক বন্দী কৰি অচূৰ
দেশলৈ লৈ গ’ল আৰু হলহ, হাবোৰ নদীৰ পাৰৰ গোজন এলেকা
আৰু মাদীয়াসকলৰ নগৰবোৰত তেওঁলোকক বাস কৰিবলৈ দিলে।
১২ এইসকলো ঘটিছিল, কাৰণ ইস্ৰায়েলীসকলে তেওঁলোকৰ ঈশ্বৰ
যিহোৱাৰ বাক্য পালন কৰা নাছিল, বৰং যিহোৱাৰ বিধান, অৰ্থাৎ
যিহোৱাৰ দাস মোচিৰ সকলো আজ্ঞা তেওঁলোকে অমান্য কৰিছিল।
তেওঁলোকে তাক শুনিবলৈ বা পালন কৰিবলৈও ইচ্ছা কৰা নাছিল। ১৩
যিহূদাৰ ৰজা হিষ্কিয়াৰ ৰাজত্বৰ চৈধ্য বছৰত, অচূৰৰ ৰজা চনহেৰীবে
যিহূদাৰ সকলো গড়েৰে আবৃত নগৰবোৰ আক্ৰমণ কৰি সেইবোৰ
অধিকাৰ কৰি ল’লে। ১৪ তাতে যিহূদাৰ ৰজা হিষ্কিয়াই লাখীচত থকা
অচূৰৰ ৰজাৰ ওচৰলৈ এই বুলি কৈ পঠালে, “মই অপৰাধ কৰিলোঁ;
আপুনি মোৰ ৰাজত্বৰ পৰা উলটি যাওঁক; আপুনি যি বিচাৰিব মই তাক
দিবলৈ প্ৰস্তুত আছোঁ।” তাতে অচূৰৰ ৰজাই যিহূদাৰ ৰজা হিষ্কিয়াৰ
পৰা তিনিশ কিক্কৰ ৰূপ আৰু ত্ৰিশ কিক্কৰ সোণ দাবী কৰিলে। ১৫
সেয়ে, ৰজা হিষ্কিয়াই যিহোৱাৰ গৃহ আৰু ৰাজভঁৰালত যিমান ৰূপ
আছিল, সকলোবোৰ তেওঁক দিলে। ১৬ তাৰ পাছত যিহূদাৰ ৰজা
হিষ্কিয়াই যিহোৱাৰ মন্দিৰৰ দুৱাৰ আৰু স্তম্ভবোৰৰ পৰা সোণৰ
পতাবোৰ এৰুৱাই সেইবোৰ অচূৰৰ ৰজাক দি দিলে। ১৭ তথাপিও,
অচূৰৰ ৰজাই লাখীচৰ পৰা তৰ্তন, ৰবচাৰীচ, আৰু ৰবচাকিক বহু
সৈন্যসামন্তৰে সৈতে যিৰূচালেমলৈ হিষ্কিয়া ৰজাৰ ওচৰলৈ পঠালে।
তেওঁলোকে যাত্ৰা কৰি আহি যিৰূচালেমৰ ওচৰ পাই ওখ ঠাইৰ পুখুৰীৰ
পানী বৈ অহা নলাৰ ফালে আগবাঢ়ি গৈ ঘাইপথৰ ধোবাসকলৰ
পথাৰৰ কাষত থিয় হ’ল। ১৮ তেওঁলোকে যেতিয়া ৰজা হিষ্কিয়াক
মাতি পঠালে; ৰাজগৃহৰ পৰা ঘৰগিৰী হিল্কিয়াৰ পুত্ৰ ইলিয়াকীম, ৰাজ

লিখক চেবনা আৰু ইতিহাস লিখক আচফৰ পুত্ৰ যোৱাই তেওঁলোকক
সাক্ষাৎ কৰিবলৈ বাহিৰ ওলাই গ'ল। ১৯ ৰবচাকিয়ে তেওঁলোকক
ক'লে, ৰজা হিষ্কিয়াক গৈ কওঁক যে, মহাৰাজাধিৰাজ অৰ্থাৎ অচূৰৰ
ৰজাই কৈছে, "আপোনাৰ আস্থাভাজনৰ উৎস কি? ২০ আপুনি কেৱল
এনে অৰ্থহীন কথাবোৰ কয় যে, আপোনাৰ যুদ্ধ কৰাৰ যথেষ্ট বুদ্ধি
আৰু শক্তি আছে। এতিয়া আপুনি কাৰ ওপৰত ভাৰসা কৰি মোৰ
অহিতে বিদ্ৰোহ কৰিছে আৰু কোনে আপোনাক সাহস দিছে? ২১
চাওঁক, আপুনিতো মিচৰৰ ওপৰত, অৰ্থাৎ সেই থেঁতেলা খোৰা নলৰ
লাখুটিত নিৰ্ভৰ কৰিছে; কোনোৱে সেই নলৰ লাখুটিৰ ওপৰত ভৰ
দিলে, সিটো ভাঙিবই, তাৰ আঁহও তেওঁৰ হাতত ফুটি সোমাব। মিচৰৰ
ৰজা ফৰৌণত নিৰ্ভৰ কৰা সকলৰ কাৰণে তেওঁ তেনেকুৱাই হয়।
২২ কিন্তু আপোনালোকে যদি মোক কয় যে, 'আমি আমাৰ ঈশ্বৰ
যিহোৱাতহে ভাৰসা কৰিছোঁ,' তেন্তে তেওঁ জানো সেইজনা ঈশ্বৰ
নহয় যি জনৰ ওখ ঠাইৰ মঠবোৰ আৰু যজ্ঞবেদীবোৰ হিষ্কিয়াই দূৰ
কৰি যিহূদা আৰু যিৰূচালেমৰ লোকসকলক কৈছিল, 'আপোনালোকে
যিৰূচালেমত এই যজ্ঞবেদীৰ সন্মুখত উপাসনা কৰিব লাগে?' ২৩
এতিয়া সেয়ে শুনক, মই মোৰ প্ৰভু অচূৰৰ ৰজাৰ পৰা আপোনালৈ
এক চুক্তি আগবঢ়াব বিচাৰো। যদি আপুনি অশ্বাৰোহী দিবলৈ সমৰ্থ
হয়, তেন্তে মই আপোনাক দুই হাজাৰ ঘোঁৰা দিম। ২৪ যদি ইয়াকে
কৰিব নোৱাৰে, তেন্তে মোৰ প্ৰভুৰ দাসবোৰৰ মাজৰ সকলোতকৈ সৰু
সেনাপতি এজনকেইবা আপুনি কেনেকৈ বাধা দি ৰাখিব পাৰিব?
আপুনি ৰথ ও অশ্বাৰোহীসকলৰ কাৰণে মিচৰৰ ওপৰত ভাৰসা
কৰিছে! ২৫ তাৰ উপৰি, মই জানো যিহোৱাৰ অবিহনেই এই ঠাইৰ
অহিতে যুজঁ দিবলৈ আৰু তাক বিনষ্ট কৰিবলৈ আহিছোঁ? যিহোৱাই
মোক কৈছিল, 'তুমি সেই দেশৰ অহিতে উঠি গৈ তাক বিনষ্ট কৰা'।"
২৬ তেতিয়া হিষ্কিয়াৰ পুত্ৰ ইলিয়াকীম, চেবনা আৰু যোৱাহে ৰবচাকিক
ক'লে, "বিনয় কৰোঁ, আপোনাৰ দাসবোৰৰ লগত আপুনি অৰামীয়া
ভাষাৰে কথা কওঁক, কাৰণ আমি তাক বুজি পাওঁ; কিন্তু গড়ৰ ওপৰত
থিয় হৈ থকা লোকসকলে শুনিব পৰাকৈ আপুনি আমাৰ লগত ইব্ৰী

ভাষাৰে কথা নক'ব।" ২৭ কিন্তু ৰবচাকিয়ে তেওঁলোকক ক'লে, "মোৰ
প্ৰভুৱে কেৱল আপোনালোকৰ প্ৰভু আৰু আপোনালোকৰ ওচৰলৈকে
এই সকলো কথা ক'বলৈ জানো মোক পঠাইছে? তেওঁ জানো গড়ৰ
ওপৰত বহা সেই সকলো লোক, যিসকলে আপোনালোকৰ দৰেই বিষ্ঠা
আৰু প্ৰস্ৰাৱ খাব লাগিব, তেওঁলোকৰ ওচৰলৈকো মোক পঠোৱা নাই?"
২৮ তেতিয়া ৰবচাকিয়ে থিয় হৈ অতি উচ্চস্বৰে ইব্ৰী ভাষাৰে ক'লে,
"আপোনালোকে মহাৰাজাধিৰাজ অৰ্থাৎ অচূৰৰ ৰজাৰ কথা শুনক; ২৯
ৰজাই এইদৰে কৈছে, 'হিষ্কিয়া ৰজাই যেন আপোনালোকক প্ৰতাৰণা
নকৰে; কিয়নো মোৰ অধিকাৰৰ পৰা আপোনালোকক ৰক্ষা কৰিবলৈ
তেওঁৰ সাধ্য নাই। ৩০ হিষ্কিয়াই যেন এই কথা কৈ যিহোৱাৰ ওপৰত
আপোনালোকক ভাৰসা নিদিয়ে যে, "যিহোৱাই আমাক অৱশ্যেই
উদ্ধাৰ কৰিব; অচূৰৰ ৰজাৰ হাতত এই নগৰ কেতিয়াও শোধাই
নিদিব।" ৩১ আপোনালোকে হিষ্কিয়াৰ কথা নুশুনিব। কিয়নো অচূৰৰ
ৰজাই এইদৰে কৈছে, 'আপোনালোকে মোৰে সৈতে সন্ধি কৰক আৰু
বাহিৰ হৈ মোৰ ওচৰলৈ আহঁক; তাতে আপোনালোক সকলোৱে নিজৰ
নিজৰ দ্ৰাক্ষালতা আৰু ডিমৰু গছৰ পৰা ফল খাব পাৰিব আৰু নিজৰ
কুৱাঁৰ পানীও খাব পাৰিব। ৩২ মই উলটি আহি আপোনালোকক
আপোনালোকৰ নিজৰ দেশৰ দৰে শস্য আৰু নতুন দ্ৰাক্ষাৰসৰ দেশ,
অন্ন আৰু দ্ৰাক্ষাবাৰীবোৰৰ দেশ, জিতগছ আৰু মধু থকা এখন দেশলৈ
লৈ যাম; তাত আপোনালোকৰ মৃত্যু নহ'ব, কিন্তু জীয়াই থাকিব।'
হিষ্কিয়াই যেতিয়া আপোনালোকক এই কথা কৈ ফুচুলাব বিচাৰে যে,
'যিহোৱাই আপোনালোকক উদ্ধাৰ কৰিব,' তেতিয়া আপোনালোকে
তেওঁৰ কথা নুশুনিব। ৩৩ আন আন জাতিৰ দেৱতাবোৰে জানো অচূৰৰ
ৰজাৰ হাতৰ পৰা তেওঁলোকক উদ্ধাৰ কৰিছে? ৩৪ হমাত আৰু অৰ্পদৰ
দেৱতাবোৰ ক'ত আছে? চৰ্ফৰ্বয়িম, হেনা আৰু ইব্বাৰ দেৱতাবোৰ
ক'ত আছে? তেওঁলোকে জানো মোৰ হাতৰ পৰা চমৰিয়াক উদ্ধাৰ
কৰিলে? ৩৫ সেই দেশবোৰৰ সকলো দেৱতাৰ মাজত এনে কোনো
দেৱতা আছে যেয়ে মোৰ অধিকাৰৰ পৰা নিজৰ দেশ উদ্ধাৰ কৰিলে;
যিহোৱাইনো মোৰ শক্তিৰ পৰা যিৰূচালেমক কেনেকৈ উদ্ধাৰ কৰিব

পাৰিব?” ৩৬ কিন্তু লোকসকল মনে মনে থাকিল; তেওঁলোকে তেওঁক
এটি কথাৰো উত্তৰ নিদিলে; কিয়নো ৰজাই এনে আজ্ঞা দিছিল,
“আপোনালোকে তেওঁক উত্তৰ নিদিব।” ৩৭ তাৰ পাছত ৰাজগৃহৰ
ঘৰগিৰী হিল্কিয়াৰ পুত্ৰ ইলিয়াকীম, ৰাজলিখক চেবনা আৰু ইতিহাস-
লিখক আচফৰ পুত্ৰ যোৱাহে নিজৰ কাপোৰ ফালি হিষ্কিয়াৰ ওচৰলৈ
গ’ল আৰু ৰবচাকিৰ কথা জনালে।

**১৯** ৰজা হিষ্কিয়াই এই কথা শুনি নিজৰ কাপোৰ ফালিলে আৰু চট
কাপোৰ পিন্ধি যিহোৱাৰ গৃহত সোমাল। ২ চট কাপোৰ পিন্ধি থকা
ঘৰগিৰী ইলিয়াকীম, ৰাজলিখক চেবনা আৰু পুৰোহিতৰ বয়োজ্যেষ্ঠ
লোকসকলক ৰজাই আমোচৰ পুত্ৰ যিচয়া ভাববাদীৰ ওচৰলৈ পঠালে।
৩ তেওঁলোকে তেওঁক ক’লে, “হিষ্কিয়াই কৈছে যে, ‘আজিৰ দিনটো
হৈছে সঙ্কটৰ; ধমকি আৰু অপমানৰ দিন; কিয়নো সন্তান সকল প্ৰসৱৰ
দুৱাৰ মুখলৈ আহিছে, কিন্তু জন্ম দিয়াৰ শক্তি নাই। ৪ আপোনাৰ ঈশ্বৰ
যিহোৱাই সম্ভৱতঃ ৰবচাকিৰ সকলো কথাই শুনিলে, যিজনক তেওঁৰ
প্ৰভু অচূৰৰ ৰজাই জীৱন্ত ঈশ্বৰক ঠাট্টা-বিদ্ৰূপ কৰিবলৈ পঠাইছিল;
হয়তো আপোনাৰ ঈশ্বৰ যিহোৱাই সেই সকলো কথা শুনি তেওঁক
শাস্তি দিব। সেয়ে যিসকল এতিয়াও জীয়াই আছে, তেওঁলোকৰ
কাৰণে আপুনি প্ৰাৰ্থনা কৰক’।” ৫ ৰজা হিষ্কিয়াৰ দাসবোৰ যেতিয়া
যিচয়াৰ ওচৰলৈ আহিছিল, ৬ তেতিয়া যিচয়াই তেওঁলোকক কৈছিল,
“আপোনালোকৰ প্ৰভুক ক’ব যে, যিহোৱাই কৈছে, ‘তুমি যি শুনিছা
অৰ্থাৎ অচুৰৰ ৰজাৰ দাসবোৰে মোক যি সকলো ঠাট্টা-বিদ্ৰূপ কৰিছে,
তালৈ তুমি ভয় নকৰিবা। ৭ শুনা, মই তেওঁৰ অন্তৰত এক আত্মা
স্থিতি কৰিম; তেওঁ এক সম্বাদ শুনিব আৰু নিজৰ দেশলৈ উভটি যাব;
মই তেওঁক নিজৰ সেই ঠাইতে তৰোৱালেৰে নিপাত কৰিম’।” ৮
পাছত ৰবচাকিয়ে উভটি আহি শুনিলে যে অচূৰৰ ৰজাই লাখীচ এৰি
লিব্‌নাৰ বিৰুদ্ধে যুদ্ধ কৰিছে। ৯ তাৰ পাছতে অচূৰৰ ৰজা চনহেৰীবে
খবৰ পালে যে মিচৰ আৰু কুচ দেশৰ ৰজা তিৰ্হাকাই তেওঁৰ বিৰুদ্ধে
যুদ্ধ কৰিবৰ কাৰণে ওলাই আহিছে। তেতিয়া অচূৰৰ ৰজাই পুনৰ
হিষ্কিয়াৰ ওচৰলৈ লোকসকলৰ যোগেদি এক বাৰ্তা পঠাই দিলে: ১০

“তোমালোকে গৈ যিহূদাৰ ৰজা হিষ্কিয়াক কোৱাগৈ, ‘আপোনাৰ ঈশ্বৰ,
যিজনৰ ওপৰত আপুনি ভাৰসা ৰাখে, তেওঁ এইবুলি কৈ প্ৰতাৰণা
কৰিবলৈ নিদিব ‘অচূৰৰ ৰজাৰ হাতত যিৰূচালেমক শোধাই দিয়া
নহ’ব’।” ১১ চাওঁক, আপুনিতো শুনিছেই যে অচূৰৰ ৰজাই সকলো
দেশক সম্পূৰ্ণৰূপে বিনষ্ট কৰিবৰ কেনে ব্যৱহাৰ কৰিছে; তেনেহলে,
আপুনি ৰক্ষা পাবনে? ১২ মোৰ পূৰ্বপুৰুষসকলে গোজন, হাৰণ,
ৰেচফ, আৰু তলচ্ছাৰত থকা এদনৰ যি জাতি সমূহক বিনষ্ট কৰিছিল,
তেওঁলোকৰ দেৱতাবোৰে জানো তেওঁলোকক ৰক্ষা কৰিছিল? ১৩
হমাতৰ ৰজা, অৰ্পদৰ ৰজা, চফৰ্বয়িমৰ নগৰবোৰৰ ৰজা, হেনা আৰু
ইব্বাৰ ৰজা ক’ত আছে’?” ১৪ হিষ্কিয়াই বাৰ্তাবাহকসকলৰ পৰা
পত্ৰখন লৈ পঢ়িলে; তেওঁ যিহোৱাৰ গৃহলৈ উঠি গ’ল আৰু যিহোৱাৰ
সন্মুখত পত্ৰখন মেলি ধৰিলে। ১৫ তাৰ পাছত হিষ্কিয়াই যিহোৱাৰ
আগত প্ৰাৰ্থনা কৰি ক’লে, “হে বাহিনীসকলৰ যিহোৱা, দুই কৰূবৰ
মাজত থকা হে ইস্ৰায়েলৰ ঈশ্বৰ, পৃথিবীৰ সমুদায় ৰাজ্যৰ ওপৰত
একমাত্ৰ ঈশ্বৰ আপুনিয়েই; আপুনিয়েই আকাশ-মণ্ডল আৰু পৃথিবীৰ
সৃষ্টিকৰ্তা। ১৬ হে যিহোৱা, কাণ পাতি শুনক, হে যিহোৱা, চকু মেলি
চাওঁক। জীৱন্ত ঈশ্বৰক নিন্দা কৰিবৰ কাৰণে চনহেৰীবে যি কথা
কৈ পঠাইছে, সেয়া শুনক। ১৭ হে যিহোৱা, এই কথা সত্য যে,
অচূৰৰ ৰজাসকলে জাতিবোৰক আৰু তেওঁলোকৰ দেশবোৰ বিনষ্ট
কৰিলে। ১৮ তেওঁলোকৰ দেৱতাবোৰক জুইত পেলালে; কিয়নো
সেইবোৰ দেৱতা নাছিল, মনুষ্যৰ হাতেৰে নিৰ্মিত কেৱল কাঠ আৰু
শিলৰ শিল্পকাৰ্য্য মাথোন; সেয়ে, অচূৰীয়াসকলে সেইবোৰ বিনষ্ট
কৰিলে। ১৯ এই হেতুকে, হে আমাৰ ঈশ্বৰ যিহোৱা, মই আপোনাক
বিনয় কৰোঁ, আপুনি আমাক তেওঁৰ হাতৰ পৰা উদ্ধাৰ কৰক, তেতিয়া
পৃথিৱীৰ সমগ্ৰ ৰাজ্যই জানিব পাৰিব যে আপুনিয়েই ঈশ্বৰ, কেৱল
আপুনিয়েই যিহোৱা।” ২০ তেতিয়া আমোচৰ পুত্ৰ যিচয়াই হিষ্কিয়াৰ
ওচৰলৈ এই কথা কৈ পঠালে, “ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাই এইদৰে
কৈছে যে, ‘অচূৰৰ ৰজা চনহেৰীবৰ সম্বন্ধে তুমি যিদৰে প্ৰাৰ্থনা কৰিলা,
তাক মই শুনিলো।’ ২১ তেওঁৰ বিষয়ে যিহোৱাই এই কথা কৈছে:

‘চিয়োনৰ যুৱতী কন্যাই তোমাক হেয়জ্ঞান কৰে আৰু তোমাক বিদ্রূপ
কৰি হাঁহে; যিৰূচালেমৰ কন্যাই তোমাক দেখি মূৰ জোকাৰে। ২২
তুমি কাক অপমান কৰিলা? কাক নিন্দা কৰিলা? তুমি কাৰ বিৰুদ্ধে
চিঞঁৰি কথা ক’লা আৰু দৰ্পেৰে সৈতে চকুতুলি চাইছা? ইস্ৰায়েলৰ
পবিত্ৰ ঈশ্বৰ জনাৰ বিৰুদ্ধেই তুমি এইবোৰ কৰিলা। ২৩ তুমি নিজ
দূতবোৰৰ দ্বাৰাই প্ৰভুৰ নিন্দা কৰি ক’লা, ‘মোৰ অধিক ৰথবোৰেৰে
সৈতে পৰ্ব্বতবোৰৰ উচ্চ শিখৰলৈ, লিবানোনৰ আটাইতকৈ ওখ ওখ
শিখৰলৈকে উঠি গলোঁ; মই তাৰ ওখ ওখ এৰচ গছবোৰ কাটি পেলাম
আৰু তাৰ উত্তম উত্তম দেৱদাৰু গছবোৰ কাটি পেলাম; আৰু মই তাৰ
বহুত দূৰলৈকে সোমাই যাম, সকলোতকৈ উত্তম ফলৱতী অৰণ্যৰ
ভিতৰলৈ সোমাই যাম। ২৪ মই কুৱাঁ খান্দি বিদেশৰ পানী পান
কৰিলোঁ। মই মোৰ ভৰিৰ তলুৱাৰেৰে মিচৰৰ নদীবোৰ শুকুৱালো।’
২৫ ‘তুমি জানো শুনা নাই যে অনেক আগেয়ে মই ইয়াক কেনেকৈ থিৰ
কৰিলোঁ আৰু প্ৰাচীন কালতে মই তাৰ পৰিকল্পনা কৰিছিলোঁ? এতিয়া
মই তাক সিদ্ধ কৰি আছোঁ। সেইবাবেইতো তুমি ইয়াত গড়েৰে আবৃত
নগৰবোৰ উচ্ছন্ন কৰি ভগ্নাৱশেষ কৰিব পাৰিছা। ২৬ সেইবোৰৰ
নিবাসীসকল দুৰ্বলী হ’ল, ভয়তে ব্যাকুল আৰু লজ্জিত হ’ল। সিহঁত
পথাৰৰ তৃণ, সেউজীয়া ঘাঁহ-বন, ঘৰৰ চালত বা পথাৰত গজা ঘাহঁৰ
নিচিনা, যি বাঢ়ি যোৱাৰ আগেয়েই শুকাই যায়। ২৭ কিন্তু মই তোমাৰ
বহা, এনেকি তুমি বাহিৰলৈ বা ভিতৰলৈ অহা-যোৱা কৰা আৰু মোৰ
বিৰুদ্ধে কৰা খং এই সকলোকে জানো। ২৮ তুমি মোৰ বিৰুদ্ধে কৰা
খঙৰ কাৰণে আৰু তোমাৰ অহংকাৰৰ কথা মোৰ কাণত পৰাৰ কাৰণে,
মই তোমাৰ নাকত মোৰ হাঁকোটা আৰু মুখত মোৰ লাগাম লগাম আৰু
যি বাটেদি তুমি আহিলা, সেই বাটেদিয়েই মই তোমাক ঘূৰাই পঠাম।’
২৯ ‘তোমাৰ কাৰণে এয়ে এক চিন হ’ব: এই বছৰত নিজে নিজে যি
উৎপন্ন হ’ব, তাকে তোমালোকে খাবা। দ্বিতীয় বছৰত তাৰ পৰা যি
উৎপন্ন হ’ব, তোমালোকে তাকে ভোজন কৰিবা; কিন্তু তৃতীয় বছৰত
তোমালোকে কঠীয়া সিচিঁ শস্য দাবা, দ্ৰাক্ষাবাৰী পাতি তাৰ ফল ভোগ
কৰিবা। ৩০ যিহূদাৰ ফৈদৰ যি লোকসকল তেতিয়াও জীৱিত থাকিব,

তেওঁলোকে পুনৰ শিপা মেলিব আৰু ফল উৎপন্ন কৰিব। ৩১ কিয়নো
যিৰূচালেমৰ পৰা আৰু চিয়োন পৰ্বতৰ পৰা অৱশিষ্ট জীৱিত লোকসকল
আহিব; বাহিনী সমূহৰ যিহোৱাৰ উৎসাহে ইয়াক সিদ্ধ কৰিব।' ৩২
এই হেতুকে অচূৰৰ ৰজাৰ বিষয়ে যিহোৱাই এই কথা কৈছে: 'তেওঁ
এই নগৰলৈ নাহিব, এনেকি এপাত কাঁড়ো নামাৰিব। তেওঁ ঢাল লৈ
ইয়াৰ সন্মুখলৈ নাহিব নাইবা ইয়াৰ বিৰুদ্ধে অৱৰোধৰ পথ নিৰ্মাণ
নকৰিব। ৩৩ তেওঁ যি পথেদি আহিল, সেই পথেৰেই উলটি যাব;
এই নগৰত তেওঁ নোসোমাব; এয়ে হৈছে যিহোৱাৰ ঘোষণা। ৩৪
মই নিজৰ কাৰণে আৰু মোৰ দাস দায়ুদৰ কাৰণে, মই এই নগৰক
প্ৰতিহত কৰি উদ্ধাৰ কৰিম'।" ৩৫ সেই ৰাতিয়েই যিহোৱাৰ স্বৰ্গদূতে
বাহিৰলৈ ওলাই গৈ, অচূৰীয়াসকলৰ ছাউনিৰ এক লাখ পঁচাশী হাজাৰ
সৈন্যক বধ কৰিলে; পিছদিনা ৰাতিপুৱা লোকসকল যেতিয়া উঠিল,
তেতিয়া সকলো ঠাইতে মৰা শৱ পৰি থকা দেখিলে। ৩৬ সেয়ে অচূৰৰ
ৰজা চনহেৰীবে ইস্ৰায়েলৰ পৰা ঘৰলৈ উভটি গ'ল আৰু নীনবি চহৰত
বাস কৰিলে। ৩৭ এদিন যেতিয়া চনহেৰীবে নিজৰ দেৱতা নিস্ৰোকৰ
মন্দিৰত পূজা কৰি আছিল, তেতিয়া অদ্ৰমেলক আৰু চৰেচৰ নামেৰে
তেওঁৰ দুজন পুতেকে তেওঁক তৰোৱালেৰে আঘাত কৰি বধ কৰিলে;
পাছত তেওঁলোক অৰাৰট দেশলৈ পলাই গ'ল। চনহেৰীবৰ পদত
তেওঁৰ পুত্ৰ এচৰ-হদ্দোন ৰজা হ'ল।

২০ এই সময়তে হিষ্কিয়া ৰজা অসুস্থ হৈছিল আৰু তেওঁৰ মৃতপ্ৰায়
অৱস্থা হৈছিল। সেয়ে এদিন আমোচৰ পুত্ৰ যিচয়া ভাববাদীয়ে তেওঁৰ
ওচৰলৈ আহি ক'লে, "যিহোৱাই এই কথা কৈছে, 'তুমি তোমাৰ
ঘৰৰ বিষয়ে পৰামৰ্শ দিয়া; কিয়নো তোমাৰ মৃত্যু হ'ব; তুমি জীয়াই
নাথাকিবা।" ২ এই কথা শুনি হিষ্কিয়াই তেওঁৰ মুখ দেৱালৰ ফাললৈ
ঘূৰাই যিহোৱাৰ আগত এইদৰে প্ৰাৰ্থনা কৰিলে; ৩ "হে যিহোৱা,
মিনতি কৰিছোঁ, এবাৰ সোঁৱৰণ কৰক, মই কেনে বিশ্বাসেৰে আৰু
সমস্ত হৃদয়েৰে আপোনাৰ সন্মুখত চলা-ফুৰা কৰি আহিছোঁ; আপোনাৰ
দৃষ্টিত মই কেনে সৎ আচৰণ কৰি আহিছোঁ।" এইবুলি হিষ্কিয়াই বৰকৈ
কান্দিবলৈ ধৰিলে। ৪ যিচয়াই ওলাই গৈ ৰাজগৃহৰ চোতালৰ মাজ

পোৱাৰ আগেয়েই তেওঁৰ ওচৰলৈ যিহোৱাৰ এই বাক্য আহিল। ৫
"তুমি ঘূৰি যোৱা আৰু মোৰ লোকসকলৰ নেতা হিষ্কিয়াক কোৱাগৈ,
'তোমাৰ পূৰ্বপুৰুষ দায়ূদৰ ঈশ্বৰ যিহোৱাই এই কথা কৈছে, "মই
তোমাৰ প্ৰাৰ্থনা শুনিলোঁ আৰু মই তোমাৰ চকুৰ পানী দেখিলোঁ। তৃতীয়
দিনা মই তোমাক আৰোগ্য কৰিম আৰু তুমি যিহোৱাৰ গৃহলৈ উঠি
যাবা। ৬ তোমাৰ আয়ুস মই পুনৰ পোন্ধৰ বছৰ বঢ়াই দিম আৰু
মই অচূৰৰ ৰজাৰ হাতৰ পৰা তোমাক আৰু এই নগৰ উদ্ধাৰ কৰিম;
মোৰ নিজৰ বাবে আৰু মোৰ দাস দায়ূদৰ কাৰণে মই এই নগৰ ৰক্ষা
কৰিম'।" ৭ যিচয়াই ক'লে, সেই "ডিমৰু গুটিৰ পিটিকা লৈ আনি;"
তেতিয়া লোকসকলে তাক আনি হিষ্কিয়াৰ খহুৰ ওপৰত সানি দিয়াত
তেওঁ সুস্থ হ'ল। ৮ সেই সময়ত হিষ্কিয়াই যিচয়াক ক'লে, "যিহোৱাই
যে মোক সুস্থ কৰিব আৰু তৃতীয় দিনা মই যিহোৱাৰ গৃহলৈ উঠি
যাম, তাৰ কি চিন হ'ব?" ৯ যিচয়াই উত্তৰ দি ক'লে, "যিহোৱাই যে
তেওঁৰ প্ৰতিজ্ঞা সিদ্ধ কৰিব, সেইবাবে যিহোৱাৰ পৰা আপোনাৰ বাবে
এই চিন দিব; আপুনিয়ে কওঁক, ছাঁটো দহ খাপ আগবাঢ়ি যাব লাগে
নে দহ খাপ পাছলৈ হুঁহকি আহিব লাগে?" ১০ তেতিয়া হিষ্কিয়াই
ক'লে, "নহয়, ছাঁ দহ ধাপ আগবাঢ়ি যোৱাটো সাধাৰণ কথা; বৰং
ছাঁটো দহ ধাপ পাছলৈ হুঁহকি যাওঁক।" ১১ তেতিয়া যিচয়া ভাববাদীয়ে
যিহোৱাৰ আগত প্ৰাৰ্থনা কৰিলে আৰু যিহোৱাই ছাঁটো দহ ধাপ পিছুৱাই
আনিলে; তাতে আহজৰ চিৰিৰ পথত ছাঁটো তললৈ নামি গ'ল। ১২
সেই সময়ত বলদানৰ পুত্ৰ বেবিলনৰ ৰজা বৰোদক বলদানে ৰজা
হিষ্কিয়াৰ অসুখৰ খবৰ পালে। সেয়ে তেওঁ হিষ্কিয়াৰ ওচৰলৈ পত্ৰ আৰু
এটি উপহাৰ পঠালে। ১৩ হিষ্কিয়াক সেই চিঠিবোৰ পঢ়ি শুনালে।
তাৰ পাছত ৰজাই সেই বাৰ্তাবাহকসকলক সম্পূৰ্ণ ৰাজপ্ৰাসাদটো
দেখুউৱাৰ লগতে নিজৰ বহুমূল্য দ্ৰব্য, যেনে ৰূপ, সোণ, সুগন্ধি
মছলা, মূল্যৱান তেল আৰু তেওঁৰ অস্ত্ৰ-সস্ত্ৰ আদি ভঁৰালৰ আটাই
বস্তু তেওঁলোকক দেখুৱালে। হিষ্কিয়াৰ ৰাজগৃহত বা তেওঁৰ গোটেই
ৰাজ্যত এনে একোৱেই নাথাকিল, যি তেওঁ তেওঁলোকক নেদেখুৱালে।
১৪ তেতিয়া যিচয়া ভাববাদীয়ে হিষ্কিয়া ৰজাৰ ওচৰলৈ আহি সুধিলে,

"সেই মানুহবোৰে আপোনাক কি কথা কলে? তেওঁলোক ক'ৰ পৰা
আহিছিল?" হিষ্কিয়াই ক'লে, "তেওঁলোক দূৰ দেশ বেবিলনৰ পৰা
মোৰ ওচৰলৈ আহিছিল।" ১৫ যিচয়াই সুধিলে, "আপোনাৰ ৰাজগৃহত
তেওঁলোকে কি কি দেখিলে?" হিষ্কিয়াই ক'লে, "মোৰ ৰাজগৃহৰ
সকলোবোৰেই তেওঁলোকে দেখিলে; মোৰ বহুমূল্য দ্রব্যবোৰৰ মাজত
এনে কোনো বস্তু নাই যি মই তেওঁলোকক দেখুউৱা নাই।" ১৬ তেতিয়া
যিচয়াই হিষ্কিয়াক ক'লে, "যিহোৱাৰ কথা শুনক। ১৭ 'শুনক, এনে
দিন আহিব যেতিয়া আপোনাৰ ৰাজগৃহত যি সকলো আছে আৰু
আপোনাৰ পূৰ্বপুৰুষসকলে সঞ্চয় কৰা যি যি আজি পৰ্যন্ত আছে,
সকলো বেবিলনলৈ লৈ যোৱা হ'ব। যিহোৱাই কৈছে, একোৱেই বাকী
নাথাকিব। ১৮ আপোনাৰ নিজৰ সন্তান সকল, যিসকলক আপুনি জন্ম
দিলে, তেওঁলোকক তেওঁলোকে লৈ যাব আৰু বেবিলনৰ ৰাজপ্রাসাদত
তেওঁলোক নপুংসক হৈ থাকিব।" ১৯ হিষ্কিয়াই তেতিয়া যিচয়াক
ক'লে, "আপুনি যিহোৱাৰ যি কথা ক'লে, সেয়ে উত্তম।" তেওঁ এই
কথা ক'লে, কাৰণ তেওঁ ভাৱিছিল, "মোৰ জীৱন কালত শান্তি আৰু
নিৰাপদ হ'লে, সেয়ে জানো উত্তম নহ'ব?" ২০ হিষ্কিয়াৰ অন্যান্য
সকলো বৃত্তান্ত, তেওঁৰ সকলো পৰাক্ৰমৰ কথা আৰু তেওঁ কেনেকৈ
পুখুৰী আৰু নলা কৰি নগৰলৈ পানী আনিছিল, এই সকলো জানো
"যিহূদাৰ ৰজাসকলৰ ইতিহাস" পুস্তকখনত লিখা নাই? ২১ পাছত
হিষ্কিয়া তেওঁৰ পূৰ্বপুৰুষসকলৰ লগত নিদ্রিত হ'ল আৰু তেওঁৰ পুত্র
মনচি তেওঁৰ পদত ৰজা হ'ল।

**২১** মনচি বাৰ বছৰ বয়সত ৰজা হৈছিল আৰু তেওঁ যিৰূচালেমত
পঁচপন্ন বছৰ ৰাজত্ব কৰিছিল; তেওঁৰ মাকৰ নাম আছিল হেফচীবা। ২
যিহোৱাই ইস্রায়েলীয়াসকলৰ সন্মুখৰ পৰা যি সকলো জাতিক দূৰ
কৰিছিল, তেওঁলোকৰ দৰেই ঘিণলগীয়া কাৰ্য কৰি মনচিয়ে যিহোৱাৰ
দৃষ্টিত যি বেয়া তাকে কৰিছিল। ৩ তেওঁৰ পিতৃ হিষ্কিয়াই ওখ ঠাইৰ যি
মঠবোৰ বিনষ্ট কৰিছিল, সেইবোৰ তেওঁ পুনৰ সাজিছিল; ইস্রায়েলৰ
ৰজা আহাবে যেনেকৈ কৰিছিল, তেনেকৈ তেৰোঁ বাল দেৱতাৰ উদ্দেশ্যে
বেদীবোৰ নিৰ্মাণ কৰিছিল আৰু এটা আচেৰা মুৰ্তিও সাজিছিল; তেওঁ

আকাশৰ তৰাবোৰক প্ৰণাম জনাইছিল আৰু সেইবোৰৰ সেৱাপূজা
কৰিছিল। ৪ যদিও যিহোৱাই এই আজ্ঞা দিছিল যে, “মই যিৰূচালেমত
চিৰকাললৈকে মোৰ নাম স্থাপন কৰিম”, তথাপিও মনচিয়ে যিহোৱাৰ
গৃহত কিছুমান বেদী নিৰ্মাণ কৰিছিল। ৫ যিহোৱাৰ গৃহৰ দুয়োখন
চোতালতে তেওঁ আকাশৰ সকলো তৰাবোৰৰ উদ্দেশ্যে কিছুমান বেদী
নিৰ্ম্মাণ কৰিছিল। ৬ তেওঁ নিজৰ পুত্ৰক হোমবলি দি অগ্নিত আহুতি
দিছিল; তেওঁ মঙ্গল চোৱা কাৰ্য আৰু মায়াকৰ্মৰ অভ্যাস কৰিছিল। তেওঁ
ভূত পোহা আৰু মৃত আত্মাবোৰৰ সৈতে কথোপকথন কৰাসকলৰ পৰা
পৰামৰ্শ লৈছিল। যিহোৱাৰ দৃষ্টিত এইদৰে অনেক বেয়া কাৰ্য কৰি
তেওঁ ঈশ্বৰক ক্ৰোধান্বিত কৰিছিল। ৭ তেওঁ যি আচেৰা মূৰ্তি খোদাই
কৰি নিৰ্মাণ কৰিছিল, সেইটো নি যিহোৱাৰ গৃহত স্থাপন কৰিছিল।
যিহোৱাই তেওঁৰ গৃহৰ সম্বন্ধে দায়ুদ আৰু দায়ুদৰ পুত্ৰ চলোমনক
কৈছিল, “এই গৃহত আৰু ইস্ৰায়েলৰ সকলো ফৈদৰ মাজৰ পৰা মই
মনোনীত কৰা এই যিৰূচালেমত মই মোৰ নাম চিৰকাললৈকে স্থাপন
কৰিম। ৮ ইস্ৰায়েলীয়াসকলে যদি কেৱল মোৰ সকলো আজ্ঞা যত্নেৰে
পালন কৰে আৰু মোৰ দাস মোচিয়ে তেওঁলোকক দিয়া সকলো
বিধান অনুসাৰে চলে, তেন্তে তেওঁলোকৰ পূৰ্বপুৰুষসকলক মই যি
দেশ দিলোঁ, সেই দেশৰ পৰা তেওঁলোকৰ ভৰি লৰচৰ নকৰিম।” ৯
কিন্তু লোকসকলে সেই কথা নুশুনিলে; মনচিয়ে তেওঁলোকক বিপথে
পৰিচালিত কৰিলে; এনেকি যি জাতিবোৰক যিহোৱাই ইস্ৰায়েলৰ
লোকসকলৰ সন্মুখৰ পৰা উচ্ছন্ন কৰিছিল, তেওঁলোকতকৈয়ো অধিক
কু-আচৰণ কৰিবলৈ ধৰিলে। ১০ তেতিয়া যিহোৱাই তেওঁৰ দাস
ভাববাদীসকলৰ দ্বাৰাই এই কথা ক’লে, ১১ “যিহূদাৰ ৰজা মনচিয়ে
এনেবোৰ ঘিণলগীয়া কৰ্ম কৰিছে। তেওঁৰ পূৰ্বতে যি ইমোৰীয়া
লোকসকল আছিল, তেওঁলোকতকৈও তেওঁ অধিক কুকৰ্ম কৰিছে আৰু
নিজৰ মূৰ্তি বোৰৰ দ্বাৰাই যিহূদাক পাপৰ পথত পৰিচালিত কৰাইছে।”
১২ সেয়ে, ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাই কৈছে, “মই শীঘ্ৰেই যিৰূচালেম
আৰু যিহূদালৈ এনে অমঙ্গল আনিম যে, যেয়ে তাক শুনিব, তেওঁলোক
সকলো শিয়ৰি উঠিব। ১৩ মই যিৰূচালেমৰ ওপৰত চমৰিয়াৰ বিৰুদ্ধে

যি মাপ-জৰী আৰু আহাবৰ বংশৰ বিৰুদ্ধে যি উলম্ব-জৰী ব্যৱহাৰ
কৰিছিলোঁ, তাক বিস্তৃত কৰিম। মানুহে যেনেকৈ এখন বাচন মচে
আৰু মচা হ'লে, তাক তলমুৰাকৈ উবুৰিয়াই থয়, তেনেকৈয়ে মই
যিৰূচালেমক মচি চাফা কৰিম। ১৪ মোৰ লোকসকলৰ বাকী অংশক
মই ত্যাগ কৰিম আৰু শত্ৰুবোৰৰ হাতত তেওঁলোকক শোধাই দিম;
তাতে তেওঁলোক শত্ৰুবোৰৰ চিকাৰ হ'ব আৰু তেওঁলোকৰ সকলো বস্তু
শত্ৰুবোৰে লুট কৰি নিব। ১৫ কিয়নো মোৰ দৃষ্টিত যি বেয়া তেওঁলোকে
তাকেই কৰিলে; যিদিনা তেওঁলোকৰ পূৰ্বপুৰুষসকল মিচৰ দেশৰ পৰা
ওলাই আহিছিল, সেইদিনাৰ পৰা আজিলৈকে তেওঁলোকে মোক খং
উঠাই আহিছে।” ১৬ তাৰ বাহিৰেও ইমূৰৰ পৰা সিমূৰলৈকে যিৰূচালেম
মৃতকৰ তেজেৰে পূৰ্ণ নকৰামানলৈকে মনচিয়ে নিৰ্দ্দোষী লোকসকলৰ
ৰক্তপাত কৰিলে। যিহূদাৰ লোকসকলৰ দ্বাৰাই তেওঁ কৰোঁৱা পাপ
কাৰ্যৰ উপৰি তেওঁ এনে পাপ কৰি যিহোৱাৰ দৃষ্টিত যি বেয়া তাকে
কৰিছিল। ১৭ মনচিৰ অন্যান্য সকলো বৃত্তান্ত, তেওঁ কৰা সকলো
কাৰ্য আৰু পাপ কৰ্মৰ কথা জানো “যিহূদাৰ ৰজাসকলৰ ইতিহাস”
পুস্তকখনত লিখা নাই? ১৮ পাছত মনচি তেওঁৰ পূৰ্বপুৰুষসকলৰ লগত
নিদ্ৰিত হ'ল আৰু তেওঁক নিজৰ ঘৰৰ বাৰীত অৰ্থাৎ উজ্জাৰ বাৰীত
মৈদাম দিলে। তেওঁৰ পুত্ৰ আমোন তেওঁৰ পদত ৰজা হ'ল। ১৯ বাইশ
বছৰ বয়সত আমোন ৰজা হৈছিল আৰু যিৰূচালেমত তেওঁ দুই বছৰ
ৰাজত্ব কৰিছিল। তেওঁৰ মাকৰ নাম আছিল মচুল্লেমৎ; তেওঁ যটবা
নিবাসী হাৰূচৰ জীয়েক আছিল। ২০ আমোনে তেওঁৰ পিতৃয়ে কৰাৰ
দৰেই যিহোৱাৰ দৃষ্টিত যি বেয়া তাকেই কৰিছিল। ২১ তেওঁৰ পিতৃয়ে
যি পথত চলিছিল, তেৱোঁ সেই সকলো পথত চলিছিল। তেওঁৰ পিতৃয়ে
যি সকলো মূৰ্তিৰ সেৱা-পূজা কৰিছিল, তেৱোঁ সেইবোৰৰ সেৱা-
পূজা কৰিছিল। সেইবোৰৰ ওচৰত শিৰ নত কৰিছিল। ২২ তেওঁৰ
পূৰ্বপুৰুষসকলৰ ঈশ্বৰ যিহোৱাক তেওঁ ত্যাগ কৰিলে আৰু যিহোৱাৰ
পথত নচলিলে। ২৩ পাছত আমোনৰ দাসবোৰে তেওঁৰ বিৰুদ্ধে ষড়যন্ত্ৰ
কৰি ৰাজগৃহতে তেওঁক বধ কৰিলে। ২৪ কিন্তু যিসকলে ৰজা আমোনৰ
বিৰুদ্ধে ষড়যন্ত্ৰ কৰিছিল, দেশৰ লোকসকলে তেওঁলোক সকলোকে বধ

কৰিলে আৰু আমোনৰ পুত্ৰ যোচিয়াক তেওঁলোকে ৰজা পাতিলে।
২৫ আমোনৰ অন্যান্য সকলো কাৰ্যৰ বৃত্তান্ত “যিহূদাৰ ৰজাসকলৰ
ইতিহাস” পুস্তকখনত জানো লিখা নাই? ২৬ পাছত উজ্জাৰ বাৰীত
থকা নিজৰ মৈদামনিত তেওঁক মৈদাম দিলে। তেওঁৰ পুত্ৰ যোচিয়া
তেওঁৰ পদত ৰজা হ’ল।

২২ আঠ বছৰ বয়সত যোচিয়া ৰজা হৈছিল আৰু যিৰূচালেমত
একত্রিশ বছৰ ৰাজত্ব কৰিছিল; তেওঁৰ মাকৰ নাম আছিল যিদীদা;
তেওঁ বস্কতৰ অদায়াৰ জীয়েক আছিল। ২ যিহোৱাৰ দৃষ্টিত যি ভাল,
যোচিয়াই তাকে কৰিছিল আৰু তেওঁৰ পূৰ্বপুৰুষ দায়ূদৰ সকলো পথত
চলিছিল। সেই পথৰ পৰা সোঁ কি বাওঁ কোনোফালে ঘূৰা নাছিল। ৩
যোচিয়াৰ ৰাজত্বৰ ওঠৰ বছৰত, তেওঁ মচুল্লমৰ নাতি অচলিয়াৰ পুত্ৰ
ৰজাৰ লেখক চাফনক এই কথা কৈ যিহোৱাৰ গৃহলৈ পঠাই দিলে, ৪
“আপুনি প্ৰধান পুৰোহিত হিল্কিয়াৰ ওচৰলৈ যাওঁক আৰু তেওঁক কওঁক
যে লোকসকলৰ পৰা পোৱা যিহোৱাৰ গৃহলৈ অনা যি ধন মন্দিৰ-
ৰক্ষকসকলে জমা কৰে, তাৰ যেন হিচাপ কৰে। ৫ সেই ধন যিহোৱাৰ
গৃহত নিযুক্ত তত্ত্বাৱধায়কসকলৰ হাতত দিয়া হওঁক আৰু তেওঁলোকে
মন্দিৰৰ ভগ্ন স্থান মেৰামতি কৰিবলৈ সেই ধনেৰে যিহোৱাৰ গৃহত
কাম কৰা বনুৱাসকলৰ মজুৰি দিয়ক। ৬ কাঠমিস্ত্রী, ঘৰ নিৰ্মাতা আৰু
ৰাজমিস্ত্রীসকলক মজুৰি দিয়ক; তাৰ উপৰি মন্দিৰ মেৰামতিৰ কাৰণে
যেন কাঠ আৰু কটা শিল আদি কিনে।” ৭ কিন্তু তেওঁলোকৰ হাতত যি
ধন দিয়া হ’ল, তাৰ হিচাপ তেওঁলোকে দিয়াৰ প্ৰয়োজন নাই। কিয়নো
তেওঁলোকে বিশ্বাসীৰূপে কাৰ্য কৰিছিল। ৮ প্ৰধান পুৰোহিত হিল্কিয়াই
লেখক চাফন লিখকক ক’লে, “মই যিহোৱাৰ গৃহত ব্যৱস্থা পুস্তকখন
পালোঁ।” হিল্কিয়াই পুস্তকখন চাফনক দিয়াৰ পাছত তেওঁ তাক পঢ়িলে।
৯ তাৰ পাছত চাফনে পুস্তকখন লৈ ৰজাৰ ওচৰলৈ গ’ল আৰু এই
সংবাদ দিলে, “আপোনাৰ দাসবোৰে মন্দিৰত পোৱা ধন বাহিৰ কৰি
যিহোৱাৰ গৃহৰ তদাৰক কৰা তত্ত্বাৱধায়কসকলৰ হাতত দিলে।” ১০
লেখক চাফনে ৰজাক এই কথাও জনালে, “প্ৰধান পুৰোহিত হিল্কিয়াই
মোক এখন পুস্তক দিছে।” এইবুলি কৈ চাফনে ৰজাৰ আগত তাক পাঠ

কৰিবলৈ ধৰিলে। ১১ ব্যৱস্থা পুস্তকত যি লিখা আছিল, তাক শুনি ৰজাই
নিজৰ কাপোৰ ফালিলে। ১২ ৰজাই পুৰোহিত হিল্কিয়াক, চাফনৰ পুত্ৰ
অহীকামক, মীখায়াৰ পুত্ৰ অকবোৰক, লেখক চাফনক আৰু ৰজাৰ
নিজ দাস অচায়াক আজ্ঞা দি ক'লে, ১৩ "আপোনালোক যাওঁক আৰু
এই যি পুস্তকখন পোৱা গৈছে, তাত যিবোৰ কথা লিখা আছে সেই
সকলোবোৰৰ সম্বন্ধে আপোনালোকে গৈ মোৰ কাৰণে, লোকসকলৰ
কাৰণে আৰু সমগ্ৰ যিহূদা দেশৰ কাৰণে যিহোৱাৰ ওচৰত সোধক;
কিয়নো আমাৰ বিৰুদ্ধে যিহোৱা ক্ৰোধত প্ৰজ্বলিত হৈছে; কাৰণ আমাৰ
পূৰ্বপুৰুষসকলে এই পুস্তকৰ কথাবোৰ নুশুনিলে আৰু আমাৰ সম্বন্ধে
পালন কৰিবৰ কাৰণে যি সকলো কথা লিখা আছে, সেই অনুসাৰে
তেওঁলোকে কাৰ্য নকৰিলে।" ১৪ এই কথা শুনি পুৰোহিত হিল্কিয়া,
অহীকামক, অকবোৰ, চাফন আৰু অচায়াই ভাৱবাদিনী হুল্দাৰ ওচৰলৈ
গ'ল। হুল্দা আছিল বস্ত্ৰ ৰখীয়া চল্লুমৰ ভাৰ্যা আৰু চল্লুম আছিল হৰ্হচৰ
নাতি তিকবাৰ পুত্ৰ। হুল্দাই যিৰূচালেমৰ দ্বিতীয় অংশত বাস কৰিছিল।
তেওঁলোকে ভাৱবাদিনী হুল্দাৰ লগত কথোপকথন কৰিলে। ১৫ তেওঁ
তেওঁলোকক ক'লে, "ইস্রায়েলৰ ঈশ্বৰ যিহোৱাই এই কথা কৈছে: 'মোৰ
ওচৰলৈ তোমালোকক পঠোৱা জনক কোৱাগৈ যে, ১৬ "যিহোৱাই
এই কথা কৈছে, 'চোৱা, যিহূদাৰ ৰজাই পুস্তকখনত লিখা যি সকলো
কথা পঢ়িলে, মই সেই অনুসাৰেই এই ঠাই আৰু ইয়াৰ লোকসকলৰ
ওপৰত অমঙ্গল আনিম। ১৭ কাৰণ তেওঁলোকে মোক ত্যাগ কৰি আন
দেৱ-দেৱীৰ উদ্দেশ্যে ধূপ জ্বলালে আৰু তেওঁলোকৰ সকলো কৰ্মৰ
দ্বাৰাই মোক ক্ৰোধিত কৰিলে। সেয়ে এই ঠাইৰ বিৰুদ্ধে মোৰ ক্ৰোধ
প্ৰজ্বলিত হ'ব আৰু তাক নুমুৱা নহ'ব'।" ১৮ কিন্তু যিজনে যিহোৱাৰ
ইচ্ছা সুধিবৰ কাৰণে আপোনালোকক পঠাইছে, সেই যিহূদাৰ ৰজাক
আপোনালোকে ক'ব যে, 'ইস্রায়েলৰ ঈশ্বৰ যিহোৱাই এইদৰে কৈছে:
'তুমি সেই সকলো কথা শুনিলা।' ১৯ তোমাৰ অন্তৰ কোমল আছিল
কাৰণে যেতিয়া তুমি মই এই ঠাই আৰু ইয়াৰ লোকসকলৰ বিৰুদ্ধে
কোৱা ধ্বংস আৰু শাওৰ কথা শুনিলা, তেতিয়া তুমি যিহোৱাৰ সন্মুখত
নম্ৰ থ'লো; নিজৰ কাপোৰ ফালি মোৰ সন্মুখত কান্দি শোক কৰিলা;

সেয়ে ময়ো তোমাৰ প্ৰাৰ্থনা শুনিলো' - যিহোৱাই এই কথা প্ৰকাশ
কৰিলে। ২০ 'এই কাৰণতে শুনা, মই তোমাক তোমাৰ পূৰ্বপুৰুষসকলৰ
ওচৰলৈ লৈ যাম; তোমাক শান্তিৰে মৈদাম দিয়া হ'ব। এই ঠাই আৰু
ইয়াৰ লোকসকলৰ ওপৰত মই যি অমঙ্গল আনিম, তোমাৰ চকুৱে
তাক নেদেখিব'।" তেতিয়া লোককেইজনে হুল্দাৰ এই বাৰ্তা লৈ ৰজাৰ
ওচৰলৈ উলটি গ'ল।

**২৩** পাছত ৰজা যোচিয়াই মানুহ পঠাই যিহূদা আৰু যিৰূচালেমৰ
সকলো বৃদ্ধ পৰিচাৰকসকলক মাতি একত্ৰিত কৰিলে। ২ যিহূদা আৰু
যিৰূচালেমৰ সকলো লোকক, পুৰোহিত আৰু ভাববাদীসকলক, সাধাৰণ
লোকৰ পৰা গণ্যমান্য ব্যক্তি সকলোকে লগত লৈ ৰজা যিহোৱাৰ গৃহলৈ
গ'ল। তাৰ পাছত তেওঁ যিহোৱাৰ গৃহত যি বিধান পুস্তকখন পোৱা
গৈছিল, তাৰ সকলো কথা লোকসকলক পঢ়ি শুনালে। ৩ স্তম্ভটোৰ
ওচৰত থিয় হৈ ৰজা যোচিয়াই যিহোৱাৰ পথত চলি সকলো মন আৰু
প্ৰাণেৰে যিহোৱাৰ সকলো আজ্ঞা, বিধান আৰু নিৰ্দেশবোৰ মানি
চলিবৰ কাৰণে এক প্ৰতিজ্ঞা কৰিলে। এই পুস্তকখনত লিখা বিধানৰ
সকলো কথা নিশ্চয়কৈ পালন কৰিবলৈ যিহোৱাৰ সন্মুখত এক প্ৰতিজ্ঞা
কৰিলে। তাতে সকলো লোকে ৰজাৰ কথাত সহমত হৈ থিয় দিলে। ৪
ৰজাই তেতিয়া যিহোৱাৰ মন্দিৰৰ পৰা বাল দেৱতা আৰু আচেৰা,
আকাশৰ সকলো তৰাবোৰৰ সেৱা-পূজাৰ কাৰণে সজা পাত্ৰবোৰ
বাহিৰ কৰিবৰ কাৰণে প্ৰধান পুৰোহিত হিল্কিয়াক, তেওঁৰ অধীনত থকা
আন আন পুৰোহিতসকলক আৰু দ্বাৰ-ৰক্ষকসকলক আদেশ দিলে।
তেওঁ সেইবোৰ যিৰূচালেমৰ বাহিৰত কিদ্ৰোণ উপত্যকাৰ মুকলি ঠাইত
পুৰি দিলে আৰু ছাঁইবোৰ বৈৎএললৈ লৈ গ'ল। ৫ যিহূদাৰ নগৰবোৰৰ
ওখ ঠাইত থকা মঠবোৰত ধূপ জ্বলাবৰ কাৰণে আৰু যিৰূচালেমৰ
চাৰিওফালৰ ঠাইবোৰত বাল দেৱতা, সূৰ্য, চন্দ্ৰ, গ্ৰহ-নক্ষত্ৰ, আকাশৰ
সকলো তৰাবোৰৰ উদ্দেশ্যে ধূপ জ্বলাবৰ কাৰণে যিহূদাৰ ৰজাসকলে
যি সকলো মূৰ্তিপূজাকাৰী পুৰোহিতসকলক মনোনীত কৰিছিল,
তেওঁলোকক তেওঁ সেই ঠাইবোৰৰ পৰা আতৰালে। ৬ তেওঁ যিহোৱাৰ
গৃহৰ পৰা আচেৰা মূৰ্ত্তিটো বাহিৰ কৰি, যিৰূচালেমৰ পৰা কিদ্ৰোণ

উপত্যকালৈ নি তাত পুৰি পেলালে। তাৰ পাছত তাক কোবাই কোবাই
গুড়ি কৰি তাৰ ধূলি সাধাৰণ জনতাৰ মৈদামৰ ওপৰত ছটিয়াই
দিলে। ৭ যিহোৱাৰ গৃহত দেৱদাসসকল থকা কোঁঠাবোৰ তেওঁ ভাঙি
পেলালে। সেই কোঁঠাবোৰত মহিলাসকলে আচেৰাৰ কাৰণে কাপোৰ
বৈছিল। ৮ ৰজা যোচিয়াই যিহূদাৰ নগৰবোৰৰ সকলো পুৰোহিতক
যিৰূচালেমলৈ আনিলে আৰু গেবাৰ পৰা বেৰ-চেবা পৰ্যন্ত যি সকলো
ওখ ঠাইৰ মঠবোৰত পুৰোহিতসকলে ধূপ জ্বলাইছিল, তেওঁ সেই
সকলোবোৰ ঠাই অপবিত্ৰ কৰি দিলে। তেওঁ দুৱাৰবোৰৰ ওচৰত
থকা ওখ ঠাইৰ মঠবোৰ ধ্বংস কৰিলে; যিৰূচালেম নগৰৰ যিহোচূৱা
নামৰ এজন ৰাজ্যপালে নিৰ্মাণ কৰা যিহোচূৱা দুৱাৰৰ প্ৰৱেশ পথত
যি সকলো ওখ ঠাইত মঠবোৰ আছিল, তেওঁ সেই সকলোকে ভাঙি
পেলালে। এই মঠবোৰ নগৰলৈ সোমাই যোৱা নগৰৰ প্ৰধান দুৱাৰৰ
বাওঁফালে আছিল। ৯ ওখ ঠাইৰ মঠবোৰৰ পুৰোহিতসকলক যদিও
যিৰূচালেমত যিহোৱাৰ যজ্ঞবেদীত সেৱা-কাৰ্য কৰিবলৈ দিয়া হোৱা
নাছিল, কিন্তু তেওঁলোকে আন পুৰোহিতসকলৰ দৰে খমীৰ নিদিয়া
পিঠা খাব পাৰিছিল। ১০ কোনেও যাতে মোলক দেৱতাৰ উদ্দেশ্যে
নিজৰ পুতেক বা জীয়েকক হোমবলি দিব নোৱাৰে, সেয়ে ৰজা
যোচিয়াই বিন-হিন্নোমৰ উপত্যকাত থকা তোফৎ নামৰ পূজাৰ ঠাইক
অপবিত্ৰ কৰি দিলে। ১১ যিহূদাৰ ৰজাসকলে যি সকলো ঘোঁৰা আৰু
ৰথবোৰ সূৰ্যৰ পূজাৰ অৰ্থে দিছিল, যোচিয়াই সেই ঘোঁৰাবোৰক দূৰ
কৰিলে আৰু ৰথবোৰ পুৰি পেলালে। ঘোঁৰাবোৰক নাথন-মেলক নামৰ
এজন গৃহাধ্যক্ষৰ কোঁঠাৰ ওচৰত, যিহোৱাৰ গৃহৰ প্ৰৱেশ পথৰ ওচৰৰ
এডোখৰ ঠাইত ঘোঁৰাবোৰক ৰখা হৈছিল। ১২ ৰাজপ্ৰাসাদৰ চালত
ৰজা আহজৰ ওপৰ কোঁঠালিৰ ওপৰত যিহূদাৰ ৰজাসকলে যি সকলো
বেদী নিৰ্মাণ কৰিছিল আৰু যিহোৱাৰ মন্দিৰৰ দুখন চোতালত মনচিয়ে
যি বেদীবোৰ নিৰ্মাণ কৰিছিল, ৰজা যোচিয়াই সেই সকলোবোৰ ভাঙি
পেলালে। তেওঁ সেইবোৰ ভাঙি টুকুৰা-টুকুৰ কৰি কিদ্ৰোণ উপত্যকাত
পেলাই দিলে। ১৩ ভ্ৰষ্টাচাৰ পাহাৰৰ দক্ষিণে যিৰূচালেমৰ পূবফালে যি
সকলো মঠ ওখ ঠাইবোৰত আছিল, সেইবোৰক যোচিয়াই অপবিত্ৰ

কৰিলে। ইস্ৰায়েলৰ ৰজা চলোমনে চীদোনীয়াসকলৰ ঘৃণ্য দেৱী অষ্টাৰেতৰ কাৰণে, মোৱাবীয়াসকলৰ ঘৃণ্য দেৱতা কমোচৰ কাৰণে আৰু অম্মোনৰ লোকসকলৰ ঘৃণ্য দেৱতা মিল্কমৰ কাৰণে এই সকলো ওখ ঠাইৰ মঠবোৰ তৈয়াৰ কৰিছিল।
১৪ ৰজা যোচিয়াই পূজাৰ শিলৰ স্তম্ভবোৰ ভাঙি পেলালে আৰু আচেৰা মুৰ্ত্তিবোৰো কাটি পেলালে। সেই ঠাইবোৰ মানুহৰ অস্থিৰে পূৰ্ণ কৰি ঢাকি দিলে।
১৫ ইস্ৰায়েলক পাপ কাৰ্যত লিপ্ত কৰোঁৱা নবাটৰ পুত্ৰ যাৰবিয়ামে বৈৎএলত যি বেদী আৰু ওখ ঠাইৰ মঠ নিৰ্মাণ কৰিছিল, তাক যোচিয়াই ভাঙি পেলালে। তেওঁ মঠৰ বেদী জুইৰে পুৰি তাক মাৰি মাৰি গুড়া কৰি পেলালে। আচেৰা মুৰ্ত্তিটোও জুইৰে পুৰিলে।
১৬ তাৰ পাছত তেওঁ চাৰিওফালে চালে আৰু পাহাৰৰ কাষত থকা সমাধিস্থল দেখা পালে। তেওঁ মানুহ পঠাই সেই সমাধিবোৰৰ পৰা অস্থিবোৰ উলিয়াই অনালে আৰু সেইবোৰ বেদীৰ ওপৰত পুৰি তাক অপবিত্ৰ কৰিলে। ঈশ্বৰৰ লোকে যি সকলো ঘটনাৰ কথা পূৰ্বে ঘোষণা কৰিছিল, যিহোৱাৰ সেই বাক্য অনুসাৰেই এই সকলো হ'ল।
১৭ ৰজাই সুধিলে, “মই সেই যি স্তম্ভটো দেখা পাইছো, সেইটো কি?” নগৰৰ লোকসকলে ক'লে, “সেইটো ঈশ্বৰৰ লোকৰ মৈদাম। ঈশ্বৰৰ সেই লোকে যিহূদাৰ পৰা আহি বৈৎএলৰ বেদীৰ বিৰুদ্ধে যি যি ঘোষণা কৰিছিল, আপুনিও ঠিক তাকেই কৰিছে।”
১৮ তেতিয়া ৰজা যোচিয়াই ক'লে, “সেইটো থাকিবলৈ দিয়া; কোনেও যেন তেওঁৰ হাড়বোৰ আঁতৰ নকৰে।” সেয়ে লোকসকলে তেওঁৰ হাড়বোৰ আৰু যি ভাববাদী চমৰিয়াৰ পৰা আহিছিল, তেওঁৰ হাড়বোৰ যেনেদৰে আছিল, তেনেদৰেই ৰাখিলে।
১৯ চমৰিয়াৰ নগৰবোৰত থকা সকলো মন্দিৰ আৰু ওখ ঠাইৰ মঠবোৰ, যি সকলোবোৰ ইস্ৰায়েলৰ ৰজাসকলে নিৰ্মাণ কৰি যিহোৱাক ক্ৰুদ্ধ কৰি তুলিছিল, যোচিয়াই সেইবোৰ দূৰ কৰি দিলে আৰু তেওঁ বৈৎএলত কৰা সকলো কৰ্মৰ দৰেই সেইবোৰলৈকো কৰিলে।
২০ মঠবোৰৰ সকলো পুৰোহিতকে যোচিয়াই সেই বেদীবোৰৰ ওপৰত বধ কৰিলে আৰু সেইবোৰৰ ওপৰত মানুহৰ হাড়বোৰ পুৰিলে। তাৰ পাছত তেওঁ যিৰূচালেমলৈ ঘূৰি গ'ল।
২১ ৰজাই সকলো লোকক এই আজ্ঞা দিলে,

“বিধান-পুস্তকখনত যেনেকৈ লিখা আছে, তেনেকৈ আপোনালোকে
আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ উদ্দেশ্যে ‘নিস্তাৰ-পৰ্ব্ব’ পালন কৰক।
২২ ইস্রায়েলৰ বিচাৰকৰ্তাসকলৰ শাসন কালত অথবা ইস্রায়েল আৰু
যিহূদাৰ ৰজাসকলৰ আমোলত এনে ধৰণৰ নিস্তাৰ-পৰ্ব্ব পালন
কেতিয়াও কৰা হোৱা নাছিল। ২৩ কিন্তু ৰজা যোচিয়াৰ ৰাজত্বৰ ওঠৰ
বছৰত যিৰূচালেমত যিহোৱাৰ উদ্দেশ্যে এই নিস্তাৰ-পৰ্ব্ব পালন কৰা
হ’ল। ২৪ ইয়াৰ বাহিৰেও, যোচিয়াই ভূত পোহা বা মৃত আত্মাৰ
লগত পৰামৰ্শ কৰা সকলক আঁতৰাই পঠালে। তেওঁ পাৰিবাৰিক
দেৱমূৰ্তিবোৰ, প্ৰতিমাবোৰ, যিহূদা আৰু যিৰূচালেমত যিবোৰ ঘৃণনীয়
বস্তু দেখা পালে, সেই সকলোবোৰ দূৰ কৰিলে। পুৰোহিত হিল্কিয়াই
যিহোৱাৰ গৃহত বিধান লিখা যি পুস্তকখন পাইছিল, তাৰ কথাবোৰ
যেন পালন কৰা হয়, সেয়ে যোচিয়াই এই কাৰ্য কৰিছিল। ২৫ তেওঁ
তেওঁৰ সকলো মন, সকলো প্ৰাণ, আৰু সকলো শক্তিৰে মোচিৰ বিধান
অনুসাৰে যিহোৱাৰ পথত চলিছিল। তেওঁৰ আগত বা পাছত আন
কোনো ৰজা তেওঁৰ দৰে নাছিল। ২৬ তথাপিও, মনচিয়ে যি সকলো
কাম কৰি যিহোৱাক ক্ৰুদ্ধ কৰি তুলিছিল, সেইবোৰৰ কাৰণে যিহূদাৰ
বিৰুদ্ধে যিহোৱাৰ যি ভয়ঙ্কৰ ক্ৰোধ প্ৰজ্বলিত হৈ উঠিছিল, সেই ক্ৰোধৰ
পৰা তেওঁ নুঘূৰিল। ২৭ সেইবাবে যিহোৱাই ক’লে, “মই মোৰ দৃষ্টিৰ
পৰা ইস্রায়েলক যেনেকৈ দূৰ কৰিলোঁ, তেনেকৈ যিহূদাকো দূৰ কৰিম।
মই যি নগৰক মনোনীত কৰি লৈছিলোঁ, সেই যিৰূচালেমক আৰু যি
গৃহৰ সম্বন্ধে মই কৈছিলোঁ, ‘মোৰ নাম তাত থাকিব’ সেই গৃহক মই
অগ্ৰাহ্য কৰিম। ২৮ যোচিয়াৰ অন্যান্য সকলো বৃত্তান্ত, তেওঁ কৰা
সকলো কাৰ্যৰ কথা জানো “যিহূদাৰ ৰজাসকলৰ ইতিহাস” পুস্তকখনত
লিখা নাই? ২৯ যোচিয়াৰ ৰাজত্বৰ সময়ত মিচৰৰ ফৰৌণ-নখোৱে
ইউফ্ৰেটিচ নদীৰ তীৰত অচূৰৰ ৰজাৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ গ’ল।
তেতিয়া ৰজা যোচিয়াই যুদ্ধত নখোক লগ পাবলৈ গ’ল আৰু তাতে
নখোৱে তেওঁক মগিদ্দোত বধ কৰিলে। ৩০ যোচিয়াৰ দাসবোৰে
তেওঁৰ শৰটো ৰথত তুলি মগিদ্দোৰ পৰা যিৰূচালেমলৈ লৈ আনিলে আৰু
তেওঁৰ নিজৰ মৈদামনিত মৈদাম দিলে। পাছত দেশৰ লোকসকলে

যোচিয়াৰ পুত্ৰ যিহোৱাহজক অভিষেক কৰি তেওঁৰ পিতৃৰ পদত ৰজা
পাতিলে। ৩১ তেইশ বছৰ বয়সত যিহোৱাহজ ৰজা হৈছিল। তেওঁ তিনি
মাহ যিৰূচালেমত ৰাজত্ব কৰিছিল; তেওঁৰ মাকৰ নাম আছিল হমূতল।
তেওঁ লিব্‌না নিবাসী যিৰিমিয়াৰ জীয়েক আছিল। ৩২ যিহোৱাহজে
তেওঁৰ পূৰ্বপুৰুষসকলৰ দৰে যিহোৱাৰ দৃষ্টিত যি বেয়া তাকে কৰিলে।
৩৩ ফৰৌণ নখোৱে তেওঁক হমাৎ দেশৰ ৰিব্লাত শিকলিৰে বান্ধি আটক
কৰি ৰাখিলে, যাতে তেওঁ যিৰূচালেমত ৰাজত্ব কৰিব নোৱাৰে। তাৰ
পাছত ফৰৌণ নখোৱে যিহূদা দেশক প্ৰায় এশ কিক্কৰ ৰূপ আৰু এক
কিক্কৰ সোণ জৰিমনা দিবলৈ নিৰূপণ কৰিলে। ৩৪ ফৰৌণ নখোৱে
যোচিয়াৰ আন এজন পুত্ৰ ইলিয়াকীমক তেওঁৰ পিতৃ যোচিয়াৰ পদত
ৰজা পাতিলে আৰু তেওঁৰ নাম সলাই যিহোয়াকীম ৰাখিলে। কিন্তু তেওঁ
যিহোৱাহজক মিচৰলৈ লৈ গ'ল আৰু তাতে যিহোৱাহজৰ মৃত্যু হ'ল।
৩৫ যিহোয়াকীমে ফৰৌণ নখোৰ দাবী অনুসাৰে তেওঁক সেই ৰূপ আৰু
সোণ দিলে; ফৰৌণৰ নিৰ্দেশত তেওঁ ধন দিয়াৰ কাৰণে মাটিৰ কৰ
নিৰূপণ কৰিলে; ফৰৌণ নখোক দিবলৈ দেশৰ লোকসকলৰ মাজত
প্ৰতিজনকে সোণ আৰু ৰূপ দিবৰ কাৰণে তেওঁ বাধ্য কৰিলে। ৩৬
যিহোয়াকীমে পঁচিশ বছৰ বয়সত ৰজা হৈছিল। তেওঁ যিৰূচালেমত
এঘাৰ বছৰ ৰাজত্ব কৰিছিল। তেওঁৰ মাকৰ নাম আছিল জবীদা।
তেওঁ ৰূমা-নিবাসী পদায়াৰ জীয়েক আছিল। ৩৭ যিহোৱাকীমে তেওঁৰ
পূৰ্বপুৰুষসকলৰ দৰেই যিহোৱাৰ দৃষ্টিত যি বেয়া তাকেই কৰিছিল।

**২৪** যিহোয়াকীমৰ ৰাজত্বৰ সময়ত বেবিলনৰ ৰজা নবূখদনেচৰে
যিহূদা দেশ আক্ৰমণ কৰিলে। যিহোৱাকীম তিনি বছৰ তেওঁৰ অধীনত
আছিল। কিন্তু পাছত তেওঁ নবুখদনেচৰৰ বিৰুদ্ধে বিদ্ৰোহ কৰিলে।
২ যিহোৱাই যিহোৱাকীমৰ বিৰুদ্ধে কলদীয়া, অৰামীয়া, মোৱাবীয়া
আৰু অম্মোনীয়া লুট কৰোঁতা দলসমূহক পঠালে। যিহোৱাই তেওঁৰ
দাস ভাববাদীসকলৰ দ্বাৰাই যি কথা ঘোষণা কৰিছিল, সেই অনুসাৰে
যিহূদা দেশক বিনষ্ট কৰিবলৈ তেওঁ তেওঁলোকক পঠালে। ৩ যিহোৱাৰ
আজ্ঞা অনুসাৰেই যিহূদা দেশৰ প্ৰতি এই সকলো ঘটিছিল, যাতে
তেওঁলোকক নিজৰ সন্মুখৰ পৰা যিহোৱাই দূৰ কৰিব পাৰে। এই

সকলোবোৰ ঘটিছিল, কিয়নো মনচিয়ে কৰা সকলো পাপ কাৰ্যৰ
কাৰণে; ৪ আৰু তেওঁ কৰা নিৰ্দ্দোষী লোকসকলৰ ৰক্তপাতৰ কাৰণে।
মনচিয়ে নিৰ্দ্দোষীসকলৰ তেজেৰে যিৰূচালেম পূৰ্ণ কৰিছিল আৰু
যিহোৱাই ইয়াক ক্ষমা কৰিবলৈ মান্তি নহ'ল। ৫ যিহোয়াকীমৰ অন্যান্য
বৃত্তান্ত আৰু তেওঁ কৰা সকলো কাৰ্যৰ কথা "যিহূদাৰ ৰজাসকলৰ
ইতিহাস" পুস্তকখনত জানো লিখা নাই? ৬ পাছত যিহোয়াকীম তেওঁৰ
পূৰ্বপুৰুষসকলৰ লগত নিদ্ৰিত হ'ল আৰু তেওঁৰ পদত পুত্ৰ যিহোয়াখীন
ৰজা হ'ল। ৭ মিচৰৰ ৰজাই যুদ্ধ কৰিবৰ কাৰণে নিজৰ দেশৰ পৰা আৰু
বাহিৰ নহ'ল; কিয়নো বেবিলনৰ ৰজাই মিচৰৰ ৰজাৰ অধীনত থকা
মিচৰৰ জুৰিৰ পৰা ইউফ্ৰেটিচ নদীলৈকে সমগ্ৰ ৰাজ্য দখল কৰি ল'লে।
৮ ওঠৰ বছৰ বয়সত যিহোয়াখীন ৰজা হৈছিল আৰু তেওঁ তিনি মাহ
যিৰূচালেমত ৰাজত্ব কৰিছিল। তেওঁৰ মাকৰ নাম আছিল নহূস্তা; তেওঁ
যিৰূচালেম নগৰৰ নিবাসী ইলনাথনৰ জীয়েক আছিল। ৯ যিহোৱাখীনে
তেওঁৰ পিতৃৰ দৰেই যিহোৱাৰ দৃষ্টিত যি বেয়া তাকে কৰিছিল। ১০
সেই সময়ত বেবিলনৰ ৰজা নবূখদনেচৰৰ সৈন্যসকলে যিৰূচালেম
আক্ৰমণ কৰি নগৰ অৱৰোধ কৰিলে। ১১ তেওঁৰ সৈন্যসকলে যেতিয়া
নগৰখন ঘেৰি ৰাখিছিল, তেতিয়া বেবিলনৰ ৰজা নবূখদনেচৰ নিজেই
নগৰলৈ আহিল। ১২ যিহূদাৰ ৰজা যিহোয়াখীন, তেওঁৰ মাক, তেওঁৰ
দাসবোৰ, তেওঁৰ ৰাজপুত্ৰসকল আৰু কৰ্মচাৰীসকল সকলোৱেই ৰজা
নবুখদনেচৰৰ ওচৰলৈ ওলাই গ'ল। তাতে ৰজা নবুখদনেচৰৰ ৰাজত্বৰ
আঠ বছৰত তেওঁ যিহোৱাখীমক বন্দী কৰি লৈ গ'ল। ১৩ যিহোৱাই যি
দৰে কৈছিল, তেনেদৰেই ঘটিল; নবুখদনেচৰে যিহোৱাৰ গৃহ আৰু
ৰাজগৃহৰ পৰা সকলো মূল্যবান সামগ্ৰীবোৰ লৈ গ'ল আৰু ইস্ৰায়েলৰ
ৰজা চলোমনে যিহোৱাৰ মন্দিৰৰ কাৰণে সোণেৰে যিবোৰ সামগ্ৰী
নিৰ্মাণ কৰিছিল, সেইবোৰ তেওঁ কাটি টুকুৰা- টুকুৰি কৰি লৈ গ'ল। ১৪
তাৰ উপৰিও যিৰূচালেমৰ সকলোকে, অৰ্থাৎ সকলো প্ৰধান লোক,
যোদ্ধা সহ দহ হাজাৰ লোক আৰু কাৰিকৰ, কমাৰ সকলকো বন্দী
কৰি লৈ গ'ল; দেশত দৰিদ্ৰ লোকৰ বাহিৰে আন কোনো নাথাকিল।
১৫ নবুখদনেচৰে যিহোয়াখীনক বন্দী হিচাবে বেবিলনলৈ লৈ গ'ল।

তেওঁ যিৰূচালেমৰ পৰা ৰজাৰ মাকক, তেওঁৰ ভাৰ্য্যাসকলক, কৰ্মচাৰী
সকলক আৰু দেশৰ প্ৰধান লোকসকলকো লৈ গ'ল। ১৬ বেবিলনৰ
ৰজাই যুদ্ধৰ কাৰণে উপযুক্ত সাত হাজাৰ যোদ্ধা, এক হাজাৰ কাৰিকৰ
আৰু কমাৰসকলক বন্দী কৰি বেবিলনলৈ আনিলে। ১৭ বেবিলনৰ
ৰজাই যিহোৱাখীনৰ খুড়ায়েক মত্তনীয়াক তেওঁৰ পদত ৰজা পাতিলে
আৰু তেওঁৰ নাম সলনি কৰি চিদিকিয়া ৰাখিলে। ১৮ একৈশ বছৰ
বয়সত চিদিকিয়া ৰজা হৈছিল। তেওঁ যিৰূচালেমত এঘাৰ বছৰ ৰাজত্ব
কৰিছিল। তেওঁৰ মাকৰ নাম আছিল হমূতল। তেওঁ লিব্‌না নিবাসী
যিৰিমিয়াৰ জীয়েক আছিল। ১৯ যিহোয়াকীমৰ দৰে চিদিকিয়াই
যিহোৱাৰ দৃষ্টিত যি বেয়া তাকে কৰিছিল। ২০ যিৰূচালেম আৰু যিহূদাৰ
ওপৰত যিহোৱা ক্ৰুদ্ধ হোৱাৰ কাৰণে এই দুই দেশক তেওঁ নিজৰ
সন্মুখৰ পৰা দূৰ নকৰা পৰ্যন্ত এই সকলো দশা ঘটি আছিল। পাছত
চিদিকিয়াই বেবিলনৰ ৰজাৰ বিৰুদ্ধে বিদ্ৰোহ কৰিলে।

**২৫** চিদিকিয়াৰ ৰাজত্বৰ নৱম বছৰৰ, দশম মাহৰ দহ দিনৰ
দিনা, বেবিলনৰ ৰজা নবূখদনেচৰে তেওঁৰ সকলো সৈন্যসামন্তক
লৈ যিৰূচালেমৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ গ'ল। তেওঁ নগৰৰ বিপৰীতে
ছাউনি পাতি চাৰিওফালে নগৰ অৱৰোধৰ এটা ওখ দেৱাল নিৰ্মাণ
কৰিলে। ২ এইদৰে চিদিকিয়াৰ ৰাজত্বৰ এঘাৰ বছৰলৈকে নগৰখন
অৱৰোধ কৰি ৰাখিছিল। ৩ সেই বছৰৰে চতুৰ্থ মাহৰ নৱম দিনা
নগৰত ইমান ভীষণভাৱে আকাল হ'ল যে, দেশৰ লোকসকলৰ কাৰণে
খাবলৈ একোৱে নাছিল। ৪ পাছত নগৰৰ দেৱালৰ কোনো এক ঠাই
ভঙা হ'ল। যদিও কলদীয়াসকলে তেতিয়াও নগৰখন ঘেৰি ৰাখিছিল,
তথাপিও ৰাতি যিহূদাৰ সকলো যোদ্ধাই ৰজাৰ উদ্যানৰ ওচৰত থকা
দুই দেৱালৰ মাজৰ দুৱাৰেদি পলাই গ'ল আৰু ৰজা অৰাবাৰ ফালে
পলাই গ'ল। ৫ কলদীয়া সৈন্য সকলে ৰজাৰ পাছত খেদি গৈ যিৰীহোৰ
ওচৰৰ যৰ্দন নদীৰ উপত্যকাৰ সমথলত তেওঁক ধৰিলে; তেওঁৰ সকলো
সৈন্য-সামন্ত তেওঁৰ ওচৰৰ পৰা ছিন্ন-ভিন্ন হৈ গ'ল। ৬ তেওঁলোকে
ৰজা চিদিকিয়াক বন্দী কৰি ৰিব্লাত বেবিলনৰ ৰজাৰ ওচৰলৈ লৈ
আনিলে। তাত তেওঁৰ ওপৰত শাস্তিৰ আজ্ঞা দিলে। ৭ সৈন্যসকলে

চিদিকিয়াৰ চকুৰ সন্মুখতে তেওঁৰ পুত্ৰসকলক বধ কৰিলে। তাৰ
পাছত চিদিকিয়াৰ চকু দুটা কাঢ়ি তেওঁক পিতলৰ শিকলিৰে বান্ধি
বেবিলনলৈ লৈ গ'ল। ৮ বেবিলনৰ ৰজা নবূখদনেচৰৰ ৰাজত্বৰ ঊন্নৈশ
বছৰৰ পঞ্চম মাহৰ সপ্তম দিনা, বাবিলৰ ৰজা নবুখদনেচৰৰ ৰজাৰ
এজন দাস দেহৰক্ষীৰ অধিনায়ক নবুজৰদান যিৰূচালেমলৈ আহিল। ৯
তেওঁ যিহোৱাৰ গৃহত, ৰাজগৃহত আৰু যিৰূচালেমৰ সকলো ঘৰতে জুই
লগাই দিলে। নগৰৰ প্ৰধান প্ৰধান অট্টালিকাবোৰ জুই দি পুৰিলে। ১০
দেহৰক্ষীৰ অধিনায়ক জনৰ অধীনত সকলো বেবিলনীয় সৈন্যদলে
যিৰূচালেমৰ চাৰিওফালৰ দেৱাল ভাঙি পেলালে। ১১ নগৰত বাকী থকা
লোকসকল আৰু যি সকল বেবিলনৰ ৰজাৰ পক্ষত গৈছিল, অৱশিষ্ট
সাধাৰণ জনগণ আছিল, তেওঁলোক সকলোকে দেহৰক্ষীৰ অধিনায়ক
নবুজৰদানে বন্দী কৰি লৈ গ'ল। ১২ কিন্তু দ্ৰাক্ষাবাৰী চোৱা-চিতা
আৰু পথাৰবোৰত খেতি কৰিবলৈ কেইজনমান দুখীয়া মানুহক তেওঁ
দেশত এৰি থৈ গ'ল। ১৩ কলদীয়াসকলে যিহোৱাৰ গৃহৰ পিতলৰ
স্তম্ভবোৰ, পাত্ৰ থোৱা আধাৰবোৰ আৰু পিতলৰ সমুদ্ৰ-পাত্ৰটো ডোখৰ
ডোখৰকৈ ভাঙি সেই পিতল বেবিলনলৈ লৈ গ'ল। ১৪ তাৰ বাহিৰেও
সকলো পিয়লা, হেতা, চাকিৰ শলিতা পৰিস্কাৰ কৰা চেপেনা, চামুচ
আৰু মন্দিৰৰ পৰিচৰ্যা কামৰ বাবে ব্যৱহাৰ কৰা পিতলৰ আন-আন
সকলো বস্তুও লৈ গ'ল। ১৫ ছাঁই আঁতৰোৱাৰ পিয়লা, সোণ আৰু ৰূপৰ
তৈয়াৰী পাত্ৰবোৰ আৰু আঙঠা ধৰা, তেজ পেলোৱা পাত্ৰ, সোণৰ
পাত্ৰৰ সোণ, আৰু ৰূপৰ পাত্ৰৰ ৰূপ, ৰজাৰ দেহৰক্ষীৰ অধিনায়কে লৈ
গ'ল। ১৬ যিহোৱাৰ গৃহৰ কাৰণে চলোমনে যি দুটা স্তম্ভ, সমুদ্ৰ-পাত্ৰ
আৰু পাত্ৰ ৰখা আধাৰবোৰ অধিক পিতলৰে তৈয়াৰ কৰিছিল; সেই
পিতলৰ ওজন কৰিব পৰা নাছিল। ১৭ এটা স্তম্ভৰ উচ্চতা আছিল
ওঠৰ হাত; তাৰ শীৰ্ষ মূৰটোত পিতলেৰে নিৰ্মিত এটা গম্বুজ আছিল।
সেই শীৰ্ষভাগৰ চৌদিশ পিতলৰ জালি আৰু ডালিমৰ কাৰুকাৰ্যৰে
সজোৱা আছিল আৰু তাৰ উচ্চতা তিনি হাত আছিল। আনটো স্তম্ভও
প্ৰথমটোৰ দৰে জালিৰ কাৰুকাৰ্যৰে একে োছিল। ১৮ ইহুদীসকলৰ
প্ৰধান পুৰোহিত চৰায়া, দ্বিতীয় পুৰোহিত চফনিয়া আৰু তিনিজন

দুৱাৰ-ৰক্ষকক দেহৰক্ষীৰ অধিনায়কে বন্দী কৰি লৈ গ'ল। ১৯ সেই
নগৰৰ পৰা তেওঁ যোদ্ধাসকলৰ ওপৰত নিযুক্ত এজন কৰ্মচাৰীক আৰু
তেতিয়াও নগৰতে থকা ৰজাৰ পাচঁজন পৰামৰ্শদাতাক বন্দী কৰি
নিলে। তাৰোপৰি সৈন্যদলত নিযুক্ত কৰাৰ বিশেষ দায়িত্বত থকা ৰজাৰ
সেনাধ্যক্ষজনৰ সৈতে নগৰত থকা দেশৰ ষাঠিজন গণ্যমান্য ব্যক্তিকো
ধৰি নিলে। ২০ দেহৰক্ষীৰ অধিনায়ক নবুজৰদানে তেওঁলোকক ৰিব্লাত
থকা বেবিলনৰ ৰজাৰ ওচৰলৈ লৈ গ'ল। ২১ বেবিলনৰ ৰজাই হমাৎ
দেশৰ ৰিব্লাত এই সকলো লোককে বধ কৰিলে। এইদৰে যিহূদাৰ
লোকসকলক বন্দী কৰি নিজ দেশৰ পৰা দূৰলৈ লৈ যোৱা হ'ল।
২২ বেবিলনৰ ৰজা নবূখদনেচৰে যি সকল লোকক যিহূদা দেশত
এৰি থৈ গৈছিল, তেওঁলোকৰ ওপৰত নবুজাৰদানে চাফনৰ নাতি
অহীকামকৰ পুত্ৰ গদলিয়াক শাসনকৰ্ত্তা নিযুক্ত কৰিলে। ২৩ পাছত
যেতিয়া বেবিলনৰ ৰজাই গদলিয়াক শাসনকৰ্ত্তা নিযুক্ত কৰিছে বুলি
যিহূদাৰ বাকী কেইজনমান সেনাধ্যক্ষ আৰু তেওঁলোকৰ লোকসকলে
শুনিলে, তেতিয়া তেওঁলোকে অৰ্থাৎ নথনিয়াৰ পুত্ৰ ইশ্মায়েল, কাৰেহৰ
পুত্ৰ যোহানন, নটোফাতীয়া তনহূমতৰ পুত্ৰ চৰায়া, মাখাথীয়াৰ পুত্ৰ
যাজনিয়া আৰু তেওঁলোকৰ লোকসকল মিস্পাত গদলিয়াৰ ওচৰলৈ
আহিল। ২৪ গদলিয়াই তেওঁলোকক আৰু তেওঁলোকৰ লোকসকলৰ
ওচৰত শপত খাই ক'লে, "আপোনালোকে কলদীয়া অধিকাৰীসকললৈ
ভয় নকৰিব; আপোনালোকে দেশত বাস কৰি বেবিলনৰ ৰজাৰ
বশ্যতা স্বীকাৰ কৰক, তাতে আপোনালোকৰ ভাল হ'ব।" ২৫ কিন্তু
সপ্তম মাহত ইলীচামাৰ নাতি, নথনিয়াৰ পুত্ৰ ইশ্মায়েলে দহ জন
মানুহক লগত লৈ গদলিয়াৰ লগতে যিহূদাৰ যি সকল লোক আৰু
কলদীয়াসকল তেওঁৰ লগত মিস্পাত আছিল, সকলোকে আক্ৰমণ কৰি
বধ কৰিলে। এই ইশ্মায়েল এজন ৰাজবংশীয় লোক আছিল। ২৬ সেয়ে
বেবিলনীয়াসকলৰ ভয়ত যিহূদাৰ সৰুৰ পৰা বৰলৈকে সকলো আৰু
সেনাধ্যক্ষসকল মিচৰলৈ গুছি গ'ল। ২৭ পৰৱৰ্তী সময়ত যিহূদাৰ ৰজা
যিহোয়াখীনৰ বন্দী অৱস্থাৰ সাতত্ৰিশ বছৰত বেবিলনৰ ৰজা ইবীল-
মৰোদকে ৰাজত্ব আৰম্ভ কৰিছিল। তেওঁ বাৰ মাহৰ সাতাইশ দিনৰ

দিনা যিহোৱাখীনক কাৰাগাৰৰ পৰা মুকলি কৰি দিলে। ২৮ তেওঁ
যিহোৱাখীনৰ লগত ভালভাৱে কথা ক’লে আৰু তেওঁৰ লগত বেবিলনত
থকা আন আন ৰজাসকলতকৈ তেওঁক অধিক সন্মানীয় আসন দিলে।
২৯ ইবীল-মৰোদকে যিহোৱাখীনৰ পৰা কাৰাগাৰৰ কাপোৰ খুলি
পেলালে আৰু যিহোৱাখীনে নিজৰ জীৱনৰ বাকী দিনবোৰত সদায়
ৰজাৰ মেজত খোৱা-বোৱা কৰি কটালে। ৩০ জীৱিত কাললৈকে
প্ৰতিদিনৰ কাৰণে ৰজাই তেওঁক এক খাদ্য খৰছ প্ৰদান কৰিছিল।

# ১ বংশাবলি

১ আদম, চেথ, ইনোচ, ২ কৈনন, মহললেল, যেৰদ, ৩ হনোক,
মথুচেলহ, লেমক, ৪ নোহ, চেম, হাম, আৰু যেফৎ। ৫ যেফতৰ পুত্ৰ
গোমৰ, মাগোগ, মাদয়, যাবন, তুবল, মেচেক, আৰু তীৰচ। ৬ গোমৰ
পুত্ৰ অস্কিনজ, দীফত, আৰু তোগৰ্মা। ৭ যাবনৰ পুত্ৰ ইলীচা, তৰ্চীচ,
কিত্তীম, আৰু দদানীম। ৮ হামৰ পুত্ৰ কুচ, মিচৰ, পূট, আৰু কনান। ৯
কুচৰ পুত্ৰ চবা, হবীলা, চবতা, ৰয়মা, আৰু চবতকা। ৰয়মাৰ পুত্ৰ চিবা
আৰু দদান। ১০ কুচৰ পুত্ৰ নিম্ৰোদ; যি জন পৃথিৱীৰ প্ৰথম জয়কাৰী
লোক আছিল। ১১ লুদীয়া, অনামীয়া, লহাবীয়া, আৰু নপ্তুহীয়াৰ
পূৰ্বপুৰুষ আছিল মিচৰীয়া, ১২ পথ্ৰোচীয়াসকল আৰু কচলুহীয়াসকল
(এওঁলোকৰ পৰা পলেষ্টীয়াসকল আহিল), আৰু কপ্তোৰীয়াসকল। ১৩
কনানৰ জেষ্ঠ পুত্ৰ চীদোন, চীদোনৰ পাছত হেৎ; ১৪ তেওঁ যিবুচীয়া,
ইমোৰীয়া, গিৰ্গাচীয়া, ১৫ হিব্বীয়া, অৰ্কীয়া, চীনীয়া, ১৬ অৰ্বদীয়া,
চমৰীয়া, আৰু হমাতীয়াসকলৰ পূৰ্বপুৰুষ আছিল। ১৭ চেমৰ পুত্ৰসকল
এলম, অচুৰ অৰ্ফকচদ, লুদ, অৰাম, উচ, হুল, গেথৰ, আৰু মেচেক।
১৮ অৰ্ফকচদৰ পুত্ৰ চেলহ; আৰু চেলহৰ পুত্ৰ এবৰ। ১৯ এবৰৰ
দুজন পুত্ৰ আছিল, এজনৰ নাম পেলগ, কিয়নো তেওঁৰ সময়তেই
পৃথিৱী বিভক্ত হৈছিল, আৰু তেওঁৰ ভায়েকৰ নাম যক্তন আছিল। ২০
অলমোদদ, চেলফ, হচমাবৎ, যেৰহ, ২১ হদোৰাম, উজল, দিক্লা, ২২
এবল, অবীমায়েল, চিবা, ২৩ ওফীৰ, হবীলা, আৰু যোবব; এওঁলোক
যক্তনৰ পুত্ৰ আছিল। ২৪ চেম, অৰ্ফকচদ, চেলহ, ২৫ এবৰ, পেলগ,
ৰিয়ু ২৬ চৰূগ, নাহোৰ, তেৰহ, ২৭ অব্ৰাম, এই জনেই অব্ৰাহাম
আছিল। ২৮ ইচহাক আৰু ইশ্মায়েল অব্ৰাহামৰ পুত্ৰ আছিল। ২৯
তেওঁলোকৰ বংশৱলি এই, ইশ্মায়েলৰ জ্যেষ্ঠ পুত্ৰ নবায়োতৰ পাছত
কেদৰ, অদবেল, মিবচম, ৩০ মিস্মা, দুমা, মচ্ছা, হদদ, তেমা, ৩১
যটূৰ, নাফীচ, কেদ্মা; এই সকল ইশ্মায়েলৰ সন্তান। ৩২ অব্ৰাহামৰ
উপপত্নী কটুৰাৰ সন্তান সকল হ'ল জিম্ৰণ, যকচন, মদান, মিদিয়ন,
যিচবক, আৰু চুহ। যক্সনৰ সন্তান চিবা আৰু দদান। ৩৩ মিদিয়নৰ
সন্তান ঐফা, এৰফ, হনোক, অবীদা, আৰু ইলদায়া; এই সকল কটুৰাৰ

বংশধৰ। ৩৪ অব্ৰাহামৰ পুত্ৰ ইচহাক। ইচহাকৰ পুত্ৰ এচৌ আৰু
ইস্ৰায়েল। ৩৫ ইলীফজ, ৰূৱেল, যিয়ুচ, যালম, আৰু কোৰহ এচৌৰ
সন্তান আছিল। ৩৬ তৈমন, ওমাৰ, চফী, গয়িতম, কনজ, তিম্না, আৰু
অমালেক ইলীফজৰ সন্তান আছিল। ৩৭ ৰূৱেলৰ সন্তান নহৎ, জেৰহ,
চম্মা, আৰু মিজ্জা। ৩৮ চেয়ীৰৰ সন্তান লোটন, চোবল, চিবিয়োন,
অনা, দিচোন, এচৰ আৰু দীচন। ৩৯ লোটনৰ সন্তান হোৰী হোমম;
আৰু লোটনৰ ভনীয়েক আছিল তিম্না। ৪০ চোবলৰ সন্তান অলিয়ন,
মানহৎ, এবল, চফি, আৰু ওনম। আৰু চিবিয়োনৰ সন্তান অয়া আৰু
অনা। ৪১ অনাৰ পুত্ৰ দীচন। দীচনৰ পুত্ৰ হিম্ৰন, ইচবন, যিত্ৰন, আৰু
কৰান। ৪২ এচৰৰ সন্তান বিলহন, জাবন, আৰু যাকন। দীচনৰ পুত্ৰ
উচ, আৰু অৰান। ৪৩ ইস্ৰায়েলৰ সন্তান সকলৰ ওপৰত কোনো ৰজাই
ৰাজত্ব কৰাৰ আগতে, ইদোম দেশত ৰাজত্ব কৰা ৰজা এইসকল;
বিয়োৰ পুত্ৰ বিলা; তেওঁৰ নগৰৰ নাম দিনহাবা আছিল। ৪৪ বিলাৰ
মৃত্যু হোৱাৰ পাছত, তেওঁৰ ঠাইত যোববে ৰাজত্ব কৰিছিল। তেওঁ
বজ্ৰাৰ জেৰহৰ পুত্ৰ আছিল। ৪৫ যোববৰ যেতিয়া মৃত্যু হ'ল, তেতিয়া
তৈমন দেশীয় হূচমে তেওঁৰ ঠাইত ৰাজত্ব কৰিছিল। ৪৬ আৰু হূচমৰ
মৃত্যু হোৱাৰ পাছত তেওঁৰ ঠাইত মোৱাব দেশত মিদিয়নক পৰাজিত
কৰা বদদৰ পুত্ৰ হদদে ৰাজত্ব কৰিছিল, তেওঁৰ নগৰৰ নাম আছিল
অবীৎ। ৪৭ আৰু হদদৰ মৃত্যু হোৱা পাছত তেওঁৰ ঠাইত মস্ৰেকাৰ
চম্লাই ৰাজত্ব কৰিছিল। ৪৮ চম্লাৰ যেতিয়া মৃত্যু হ'ল, তেতিয়া তেওঁৰ
সলনি ফৰাৎ নদীৰ ওচৰৰ ৰহোবোতীয়া চৌলে ৰাজত্ব কৰিছিল।
৪৯ চৌলৰ মৃত্যু হোৱাৰ পাছত তেওঁৰ ঠাইত অকবোৰৰ পুত্ৰ বাল-
হাননে ৰাজত্ব কৰিছিল। ৫০ যেতিয়া অকবোৰৰ পুত্ৰ বাল-হাননৰ মৃত্যু
হ'ল তেতিয়া তেওঁৰ ঠাইত হদদে ৰাজত্ব কৰিছিল; তেওঁৰ নগৰৰ
নাম আছিল পায়ী। তেওঁৰ ভাৰ্য্যাৰ নাম মহেটবেল তেওঁ মে-জাহবৰ
নাতিনিয়েক মট্ৰেদৰ জীয়েক আছিল। ৫১ হদদ মৃত্যু হ'ল। ইদোমৰ
ফৈদৰ মুৰব্বী সকলৰ নাম; তিম্না, অলিয়া, যিথেৎ, ৫২ অহলীবামা,
এলা, পীনোন, ৫৩ কনজ, তৈমন, মিবচৰ, ৫৪ মগ্দীয়েল, আৰু ঈৰম।
এওঁলোক ইদোমৰ ফৈদৰ মুৰব্বী আছিল।

২ ইস্রায়েলৰ পুত্ৰ এওঁলোক: ৰূবেণ, চিমিয়োন, লেবী, যিহূদা, ইচাখৰ,
জবূলূন, ২ দান, যোচেফ, বিন্যামীন, নপ্তালী, গাদ, আৰু আচেৰ।
৩ যিহূদাৰ পুত্ৰ, এৰ, ওনন, আৰু চেলা তেওঁৰ এই তিনি জন পুত্ৰ
কনানীয়া চূৱাৰ জীয়েকৰ ঔৰসত জন্ম হৈছিল। তেওঁলোকৰ মাজত
যিহূদাৰ ডাঙৰ পুত্ৰ এৰে যিহোৱাৰ দৃষ্টিত পাপ কৰিছিল আৰু তেওঁ
তাক বধ কৰিলে। ৪ যিহূদাৰ বোৱাৰীয়েক তামাৰে পেৰচ আৰু
জেৰহক জন্ম দিলে। যিহূদাৰ পাঁচ জন পুত্ৰ আছিল। ৫ পেৰচৰ পুত্ৰ
হিষ্ৰোণ আৰু হামূল আছিল। ৬ জেৰহৰ পাঁচ জন সন্তান: জিম্ৰী, এথন
হেমন, কলকোল, আৰু দাৰা। ৭ আখৰ কৰ্মীৰ পুত্ৰ আছিল, তেওঁ
যিহোৱাৰ উদ্দেশে সংগ্ৰহ কৰি ৰখা বস্তু চুৰ কৰি ইস্ৰায়েললৈ সংকট
কঢ়িয়াই আনিছিল। ৮ এথনৰ পুত্ৰ অজৰিয়া আছিল। ৯ হিষ্ৰোণৰ পুত্ৰ
যিৰহমেল, ৰাম, আৰু কলূবয় আছিল। ১০ ৰামৰ পুত্ৰ অম্মীনাদব;
অম্মীনাদবৰ পুত্ৰ নহচোন। তেওঁ যিহূদাৰ পূৰ্বপুৰুষসকলৰ অধ্যক্ষ
আছিল। ১১ নহচোনৰ পুত্ৰ চলমা, চলমাৰ পুত্ৰ বোৱজ। ১২ বোৱজৰ
পুত্ৰ ওবেদ, ওবেদৰ পুত্ৰ যিচয়। ১৩ যিচয়ৰ জ্যেষ্ঠ পুত্ৰ ইলীয়াব,
দ্বিতীয় অবীনাদব, তৃতীয় চিমিয়া, ১৪ চতুৰ্থ নথনেল, পঞ্চম ৰদ্দয়, ১৫
ষষ্ঠ ওচম, আৰু সপ্তম দায়ুদ। ১৬ তেওঁলোকৰ ভনীয়েক চৰূয়া আৰু
অবীগল। চৰূয়াৰ পুত্ৰ তিনি জন, অবীচয়, যোৱাব, আৰু অচাহেল। ১৭
অবীগলৰ পুত্ৰ অমাচা, এওঁৰ পিতৃ ইশ্মায়েলীয়া যেথৰ। ১৮ হিষ্ৰোণৰ
পুত্ৰ কালেবৰ ভাৰ্যা অজূবা আৰু যিৰীয়োত। তেওঁলোকৰ সন্তান যেচৰ,
চোবব, আৰু অৰ্দোন আছিল। ১৯ আৰু অজূবাৰ মৃত্যুৰ পাছত কালেবে
ইফ্ৰাথাক বিয়া কৰালে, আৰু তেওঁ হূৰক জন্ম হ’ল। ২০ হূৰৰ পুত্ৰ
ঊৰী, আৰু ঊৰীৰ পুত্ৰ বচলেল আছিল। ২১ তাৰ পাছত হিষ্ৰোণে
ষাঠি বছৰ বয়সত গিলিয়দৰ পিতৃ মাখীৰৰ জীয়েকক বিয়া কৰিলে।
তেওঁ তেওঁলৈ চগূবৰক জন্ম দিলে। ২২ চগূবৰ পুত্ৰ যায়ীৰ, গিলিয়দ
দেশত তেওঁ তেইশখন নগৰ শাসন কৰিছিল। ২৩ গচুৰ আৰু অৰামে
তেওঁলোকৰ পৰা যায়ীৰ আৰু কনাৎ নগৰ, আৰু তাৰ চাৰিওফালৰ
ষাঠিখন নগৰ অধিকাৰ কৰিছিল। এই সকলো বাসিন্দা গিলিয়দৰ
পিতৃ মাখীৰৰ বংশধৰ আছিল। ২৪ হিষ্ৰোণ মৃত্যুৰ পাছত, কালেবে

তেওঁৰ পিতৃৰ ভাৰ্যা ইফ্ৰাথাৰ সৈতে শয়ন কৰে। আৰু তেওঁৰ অচহূৰক জন্ম দিলে, তেওঁ তকোৱাৰ পিতৃ আছিল। ২৫ হিষ্ৰোণৰ প্ৰথম পুত্ৰ যিৰহমেল, যিৰহমেলৰ প্ৰথম পুত্ৰ ৰাম, ৰামৰ পাছত বূনা, ওৰণ, ওচম, আৰু অহিয়া। ২৬ যিৰহমেলৰ অটাৰা নামেৰে আৰু এগৰাকী ভাৰ্যা আছিল, তেওঁ ওনমৰ মাতৃ আছিল। ২৭ যিৰহমেলৰ প্ৰথম পুত্ৰ ৰাম, তেওঁৰ পুত্ৰ মাচ, যামীন, আৰু একৰ। ২৮ ওনমৰ পুত্ৰ চম্ময় আৰু যাদা, আৰু চম্ময়ৰ পুত্ৰ নাদব আৰু অবীচূৰ। ২৯ অবীচূৰৰ ভাৰ্য্যাৰ নাম অবীহয়িল; তেওঁ অহবান আৰু মোলিদক জন্ম দিলে। ৩০ আৰু নাদবৰ পুত্ৰ চেলদ আৰু অপ্পয়িম, কিন্তু চেলদ নি: সন্তান হৈ মৃত্যু বৰণ কৰে। ৩১ অপ্পয়িমৰ পুত্ৰ যিচী, যিচীৰ পুত্ৰ চেচন, আৰু চেচনৰ পুত্ৰ অহলয়। ৩২ চম্ময়ৰ ভায়েক যাদাৰ পুত্ৰ যেথৰ আৰু যোনাথন, যেথৰ নি: সন্তান হৈ মৃত্যু বৰণ কৰে। ৩৩ যোনাথনৰ পুত্ৰ পেলৎ আৰু জাজা আছিল। এওঁলোক যিৰহমেলৰ বংশধৰ আছিল। ৩৪ চেচনৰ পুত্ৰ নাছিল, কেৱল জীয়েক আছিল। যৰ্হা নামেৰে চেচনৰ এজন মিচৰীয়া দাস আছিল। ৩৫ চেচনে তেওঁৰ দাস যৰ্হাই সৈতে নিজৰ জীয়েকক বিয়া দিলে; তেওঁ অত্তয়ক জন্ম দিলে। ৩৬ অত্তয়ৰ পুত্ৰ নাথন, নাথনৰ পুত্ৰ জাবদ। ৩৭ জাবদৰ পুত্ৰ ইফলল, ইফললৰ পুত্ৰ ওবেদ। ৩৮ ওবেদৰ পুত্ৰ যেহূ, যেহূৰ পুত্ৰ অজৰিয়া। ৩৯ অজৰিয়াৰ পুত্ৰ হেলচ, হেলচৰ পুত্ৰ ইলিয়াচা। ৪০ ইলিয়াচাৰ পুত্ৰ চিচময়, চিচময়ৰ পুত্ৰ চল্লুম। ৪১ চল্লুমৰ পুত্ৰ যকমিয়া, আৰু যকমিয়াৰ পুত্ৰ ইলীচামা। ৪২ যিৰহমেলৰ ভায়েক কালেবৰ পুত্ৰৰ প্ৰথম সন্তান মেচা, তেওঁ জীফৰ পিতৃ। তেওঁৰ দ্বিতীয় সন্তান মাৰেচা, তেওঁ হিব্ৰোণৰ পিতৃ আছিল। ৪৩ হিব্ৰোণৰ পুত্ৰ কোৰহ, তপ্পূহ, ৰেকম, আৰু চেমা। ৪৪ চেমাৰ পুত্ৰ ৰহম, ৰহম পুত্ৰ যৰ্কিয়ম আৰু ৰেকমৰ পুত্ৰ চম্ময়। ৪৫ চম্ময়ৰ পুত্ৰ মায়োন, আৰু মায়োনৰ পুত্ৰ বৈৎ-চুৰ। ৪৬ কালেবৰ উপপত্নী ঐফাই হাৰণ, মোচা, আৰু গাজেজক জন্ম দিলে। হাৰণৰ পুত্ৰ গাজেজ। ৪৭ যেহদৰ পুত্ৰ ৰেগম, যোথম, গেচন, পেলট, ঐফা, আৰু চাফ। ৪৮ কালেবৰ উপপত্নী মাখা চেবৰ আৰু তিৰ্হনাক জন্ম দিলে। ৪৯ আৰু তেওঁ মদ্মন্না পিতৃ চাফকক আৰু মগবেনা ও গিবিয়াৰ পিতৃ চবাকক

জন্ম দিলে। কালেবৰ জীয়েকৰ নাম অকচা। ৫০ এওঁলোক হূৰৰ সন্তান, ইফ্ৰাথাৰ পৰা জন্ম হোৱা প্ৰথম পুত্ৰ হূৰ: কিৰিয়ৎ-যিয়াৰীমৰ পিতৃ চোবল, ৫১ বৈৎলেহেমৰ পিতৃ চলমা, বৈৎ-গাদেৰৰ পিতৃ হাৰেফ। ৫২ কিৰিয়ৎ-যিয়াৰীমৰ পিতৃ চোবলৰ বংশধৰসকল আছিল: হাৰোৰি, মানহতীয়াসকলৰ আধা ভাগ, ৫৩ আৰু কিৰিয়ৎ-যিয়াৰীমৰ গোষ্ঠী- যিত্ৰীয়া, পুথীয়া, চূমাথীয়া, আৰু মিশ্ৰায়ীয়াসকল। এওঁলোকৰ বংশধৰ আছিল চৰায়ীয়া আৰু ইষ্টায়োলীয়াসকল। ৫৪ তলত উল্লেখিত সকল চলমাৰ গোষ্ঠীৰ: বৈৎলেহেম, নটোফাতীয়াসকল অট্ৰোৎ-বৈৎযোৱাব, আৰু মানহতীয়াসকলৰ আধা ভাগ লোক, চৰীয়াসকল। ৫৫ যাবেচ-নিবাসী লিখকসকলৰ গোষ্ঠী তিৰাথীয়া, চিমিয়াথীয়া, আৰু চুখাথিয়াসকল। এওঁলোক ৰেখবৰ বংশৰ আদি-পিতৃ হম্মতৰ বংশধৰ কেনীয়া লোক।

৩ হিব্ৰোণত জন্ম হোৱা দায়ূদৰ সন্তান সকলৰ নাম: তেওঁৰ প্ৰথম পুত্ৰ অম্নোন, তেওঁ যিজ্ৰিয়েলীয়া অহীনোৱমৰ পুত্ৰ; দ্বিতীয় দানিয়েল, তেওঁ কৰ্মিলীয়া অবীগলৰ পুত্ৰ; ২ তৃতীয় অবচালোম, তেওঁ গচুৰৰ তল্ময় ৰজাৰ জীয়েক মাখাৰ পুত্ৰ; চতুৰ্থ অদোনীয়া, তেওঁ হগ্গীতৰ পুত্ৰ; ৩ পঞ্চম চফটিয়া, তেওঁ অবীটলৰ পুত্ৰ; ষষ্ঠ যিত্ৰিয়ম, তেওঁৰ ভাৰ্যা ইগ্লাৰ পুত্ৰ; ৪ দায়ূদৰ এই ছয়জন পুত্ৰ হিব্ৰোণত জন্ম হৈছিল; এই ঠাইত তেওঁ সাত বছৰ ছমাহ ৰাজত্ব কৰিছিল। তাৰ পাছত তেওঁ যিৰূচালেমত তেত্ৰিশ বছৰ ৰাজত্ব কৰিছিল। ৫ যিৰূচালেমত অম্মীয়েলৰ জীয়েক বৎ-চূৱাৰ পৰা জন্মা তেওঁৰ চাৰি জন পুত্ৰৰ নাম: চিমিয়া, চোবব, নাথন, আৰু চলোমন। ৬ দায়ূদৰ আন আৰু ন জন পুত্ৰৰ নাম যিভৰ, ইলীচামা, ইলীফেলট, ৭ নোগহ, নেফগ, যাফীয়া, ৮ ইলীচামা, ইলিয়াদা, আৰু ইলীফেলট, ৯ উপপত্নীসকলৰ পৰা হোৱা সন্তান সকলক বাদ দি এইসকলো দায়ূদৰ সন্তান; তামাৰ তেওঁলোকৰ ভনীয়েক আছিল। ১০ চলোমনৰ পুত্ৰ ৰহবিয়াম। ৰহবিয়ামৰ পুত্ৰ অবিয়া। অবিয়াৰ পুত্ৰ আচা। আচাৰ পুত্ৰ যিহোচাফট; ১১ যিহোচাফটৰ পুত্ৰ যোৰাম; যোৰামৰ পুত্ৰ অহজিয়া; অহজিয়াৰ পুত্ৰ যোৱাচ; ১২ যোৱাচৰ পুত্ৰ অমচিয়া; অমচিয়াৰ পুত্ৰ অজৰিয়া; অজৰিয়াৰ পুত্ৰ

যোথম; যোথমৰ পুত্ৰ আহজ; ১৩ আহজৰ পুত্ৰ হিষ্কিয়া; হিষ্কিয়াৰ
পুত্ৰ মনচি; ১৪ মনচিৰ পুত্ৰ আমোন; আমোনৰ পুত্ৰ যোচিয়া। ১৫
যোচিয়াৰ প্ৰথম পুত্ৰ যোহানন, দ্বিতীয় যিহোয়াকীম, তৃতীয় চিদিকিয়া,
আৰু চতুৰ্থ চল্লুম। ১৬ যিহোয়াকীমৰ পুত্ৰ যকনিয়া, শেষৰ জন ৰজা
আছিল চিদিকিয়া। ১৭ বন্দী কৰি নিয়া যকনিয়াৰ পুত্ৰসকল, চল্টীয়েল,
১৮ মল্কিৰাম, পদায়া, চিনচৰ, যকমিয়া, হোচামা, আৰু নদবিয়া। ১৯
পদায়াৰ পুত্ৰ জৰুব্বাবিল আৰু চিমিয়ী; জৰুব্বাবিলৰ পুত্ৰ মচুল্লম আৰু
হননিয়া; আৰু চলোমীৎ তেওঁলোকৰ ভনীয়েক আছিল। ২০ তেওঁৰ আন
পাঁচ জন পুত্ৰ হ'ল হচুবা, ওহেল, বেৰেখিয়া, হচদিয়া আৰু যুচবহচেদ।
২১ হননিয়াৰ বংশধৰ সকল পলটিয়া, যিচয়া আৰু ৰফায়াৰ সন্তান সকল
হ'ল অৰ্ণনৰ, ওবদিয়াৰ, আৰু চখনিয়া। ২২ চখনিয়াৰ পুত্ৰ চমৰিয়া।
আৰু চমৰিয়াৰ ছয় জন পুত্ৰ হ'ল হট্টচ, যিগাল, বাৰীহ, নিয়ৰিয়া, আৰু
চাফট। ২৩ নিয়ৰিয়াৰ তিনি জন পুত্ৰ হ'ল ইলীয়োঐনয়, হিষ্কিয়া,
আৰু অজ্ৰীকাম। ২৪ ইলীয়োঐনয়ৰ সাত জন পুত্ৰ হ'ল হোদবিয়া,
ইলিয়াচীব, পলায়া, অক্কুব, যোহানন, দলায়া, আৰু অনানী।

**4** যিহূদাৰ বংশধৰ পেৰচ, হিষ্ৰোণ, কৰ্ম্মী, হূৰ, আৰু চোবল। ২
চোবলৰ পুত্ৰ ৰায়া। ৰায়াৰ পুত্ৰ যহৎ। যহতৰ পুত্ৰ অহূময় আৰু লহদ;
এওঁলোক চৰায়ীয়াৰ গোষ্ঠী। ৩ এওঁলোক এটমৰ নগৰৰ গোষ্ঠীৰ
মূল লোক আছিল: যিজ্ৰিয়েল, যিচমা, আৰু যিদবচ। তেওঁলোকৰ
ভনীয়েকৰ নাম হচ্ছলেলপোন; ৪ গদোৰ নগৰৰ পনূৱেল গোষ্ঠীৰ
মূল লোক আছিল। এজাৰ হূচাৰ গোষ্ঠীৰ মূল লোক আছিল। হূৰৰ
বংশধৰ এওঁলোক, ইফ্ৰাথাৰ প্ৰথম সন্তান আৰু বৈৎলেহেমৰ মূল
বংশ। ৫ তকোৱাৰ পিতৃ অচহূৰৰ দুগৰাকী ভাৰ্য্যাৰ নাম হেলা আৰু
নাৰা। ৬ নাৰাৰ ঔৰসত অহূজ্জম, হেফৰ, তৈমিনী, আৰু হহস্তাৰী
জন্ম হ'ল। এওঁলোক নাৰাৰ সন্তান। ৭ হেলাৰ পুত্ৰসকল হ'ল চেৰৎ,
যিচহৰ, আৰু ইৎনন। ৮ আৰু হক্কোচৰ পুত্ৰসকল হ'ল আনূব, চোবেবা,
আৰু এওঁলোক হাৰুমৰ পুত্ৰ অহৰ্হেলৰ বংশধৰ। ৯ যাবেচ তেওঁৰ
ভাই-ককায়েকৰ মাজত সকলোতকৈ সন্মানীয় লোক আছিল। তেওঁৰ
মাতৃয়ে তেওঁক যাবেচ নাম দিছিল। তেওঁ কৈছিল, "কাৰণ মই তাক

দুখেৰে জন্ম দিলোঁ।” ১০ যাবেচে ইস্রায়েলৰ ঈশ্বৰৰ আগত প্রার্থনা
কৰি ক’লে, “আপুনি কোনোমতে মোক আশীর্ব্বাদ দিলে, মোৰ সীমাও
বঢ়াই দিলে, আপোনাৰ হাত মোৰ সঙ্গে সঙ্গে থাকিল, আৰু মই যেন
দূখ নাপাবৰ বাবে মোক বেয়াৰ পৰা মোক ৰক্ষা কৰিলে বৰ ভাল
হয়।” তাতে, ঈশ্বৰে তেওঁ খোজাৰ দৰে তেওঁক দিলে। ১১ কলূবৰ
ভয়েক চূহা মহীৰৰ পিতৃ আছিল, এও ইষ্টোনৰো পিতৃ আছিল। ১২
ইষ্টোনৰ পুত্র বৈৎৰাফা, পাচেহ, আৰু তহিন্না, এওঁলোক ঈৰনাহচ
নগৰৰ মূল লোক। এওঁলোকই ৰেকা নগৰৰ মূল লোক। ১৩ কনজৰ
পুত্র অৎনীয়েল আৰু চৰায়া। অৎনীয়েলৰ পুত্র হথৎ আৰু মিয়োনোথৰ।
১৪ মিয়োনোথৰ পুত্র অফ্রা, আৰু চৰায়াৰ পুত্র যোৱাব, যিহাৰাচিমৰ
মূল লোক, যাৰ লোকসকলে শিল্পকর্ম কৰিছিল। ১৫ যিফুন্নিৰ পুত্র
যি কালেব, তেওঁৰ পুত্র ঈৰ, এলা, আৰু নয়ম। এলাৰ পুত্র কনজ
আছিল। ১৬ যিহল্লেলৰ পুত্র জীফ, জীফা, তীৰিয়া আৰু অচৰেল। ১৭
ইজ্ৰাৰ পুত্র যেথৰ, মেৰদ, এফৰ, আৰু যালোন। মেগেদৰ মিচৰীয়া
ভার্যাই মৰিয়ম, চম্ময়, আৰু যিচবহক জন্ম দিয়ে, যিচবহ ইষ্টমোৱাৰ
পিতৃ আছিল। ১৮ তেওঁৰ যিহূদীয়া ভার্যা যেৰদক জন্ম দিয়ে, যি জন
গদোৰৰ পিতৃ হ’ল, হেবৰ চোকোৰৰ পিতৃ হ’ল। আৰু যিকোথীয়েলক
জানোহৰ পিতৃ হ’ল। এওঁলোক মেৰদে বিয়া কৰোঁৱা ফৰৌণৰ জীয়েক
বিথিয়াৰ সন্তান। ১৯ হোদিয়াৰ ভার্যা নহমৰ ভনীয়েকৰ দুজন পুত্র,
এজন গর্মীয়া কয়ীলাৰ পিতৃ হ’ল, আৰু আন জন মাখাথীয়া ইষ্টমোৱাৰ।
২০ চীমোনৰ সন্তান অম্নোন, ৰিম্না, বিন-হানন, আৰু তীলোন। যিচীৰ
পুত্র জোহেৎ আৰু বিনজোহেৎ। ২১ যিহূদাৰ পুত্র চেলাৰ সন্তান সকল
এওঁলোক: লেকাৰ পিতৃ এৰ, মাৰেচাৰ পিতৃ লদ্দা, অচবেয়াৰ বংশত
জন্ম হোৱা লোক এওঁলোকে মিহি শণ সূতাৰে কাপোৰ বোৱা গোষ্ঠীৰ।
২২ যোকীম, কোজেবাৰ লোক, যোৱাচ আৰু চাৰফৰ মোৱাবত সম্পত্তি
আছিল, কিন্তু তেওঁলোক বৈৎলেহেমলৈ ঘূৰি আহিল। এইসকলো তথ্য
পুৰণি লিপিৱদ্ধ তথ্যৰ পৰা পোৱা ২৩ তেওঁলোক কুমাৰ আছিল,
তেওঁলোক নটয়িম আৰু গদেৰা নিবাসী, তেওঁলোক ৰজাৰ উদ্দেশে
কাম কৰিছিল। ২৪ চিমিয়োনৰ বংশধৰ নমূৱেল, যামীন, যাৰীব,

জেৰহ, আৰু চৌল; ২৫ চৌলৰ পুত্ৰ চল্লুম, চল্লুমৰ পুত্ৰ মিবচম, মিবচমৰ পুত্ৰ মিচমা। ২৬ মিচমাৰ বংশধৰ তেওঁৰ পুত্ৰ হমূৱেল, জুক্কৰ তেওঁৰ নাতি ল'ৰা, আৰু চিমিয়ী তেওঁৰ পৰিনাতি আছিল। ২৭ চিমিয়ীৰ ষোল্ল জন পুত্ৰ আৰু ছয় জনী জীয়েক আছিল; কিন্তু তেওঁৰ ভায়েকসকলৰ সন্তান বেছি নাছিল, সেয়ে তেওঁলোকৰ সকলো গোষ্ঠী যিহূদাৰ সন্তান সকলৰ দৰে নাবাঢ়িল। ২৮ তেওঁলোক বেৰ-চেবা মোলাদা, আৰু হচৰ-চূৱালত বাস কৰিছিল। ২৯ তেওঁলোকে বিলহাত, এচমত, তোলদত, ৩০ বথূৱেলত, হৰ্মাত, চিক্লগত, ৩১ বৈৎ-মাৰ্কাবোতত, হচৰ-চূচীমত, বৈৎ-বিৰীত, আৰু চাৰয়িমতো বাস কৰিছিল; দায়ূদৰ ৰাজত্বলৈকে এইবোৰ নগৰ তেওঁলোকৰ হৈ আছিল। ৩২ এটম, ঐন, ৰিম্মোন, তোখন, আৰু আচন, এই পাঁচখন গাওঁ তেওঁলোকৰ আছিল। ৩৩ আৰু তাৰ লগতে চাৰিওফালে বাললৈকে থকা গাওঁ তেওঁলোকৰ আছিল। এয়ে তেওঁলোকৰ বাস কৰা ঠাই। তেওঁলোকে নিজৰ বংশাৱলিত লিপিৱদ্ধ কৰি ৰাখিছিল। ৩৪ মচোবব, যম্লেক, অমচিয়াৰ পুত্ৰ যোচা, ৩৫ যোৱেল আৰু অচীয়েলৰ পুত্ৰ চৰায়া, চৰায়াৰ পুত্ৰ যোচিবিয়া, যোচিবিয়াৰ পুত্ৰ যেহূ; ৩৬ ইলিয়োঐনয়, যাকোব, যিচোহায়া, অচায়া, অদীয়েল, যিচিমীয়েল, বনায়া, ৩৭ আৰু চময়িয়াৰ পুত্ৰ চিম্ৰী, চিম্ৰীৰ পুত্ৰ যদায়া যদায়াৰ পুত্ৰ অল্লোন, অল্লোনৰ পুত্ৰ চিফি, চিফিৰ পুত্ৰ জীজা, এওঁলোক গোষ্ঠীৰ নেতৃত্বত আছিল। ৩৮ ওপৰত উল্লেখিত নামৰ লোকসকলৰ নিজৰ নিজৰ গোষ্ঠীৰ অধ্যক্ষ আছিল। আৰু তেওঁলোকৰ বংশ অতিশয়ৰূপে বৃদ্ধি পালে। ৩৯ তেওঁলোকে নিজৰ পশুৰ জাকবোৰ চৰাবলৈ ঠাই বিচাৰিলে, আৰু গদোৰৰ পৰা বাহিৰলৈ ওলাই গৈ উপত্যকাৰ পূব দিশে গ'ল। ৪০ তাতে তেওঁলোকে বহুত ঘাঁহ থকা উত্তম চৰণীয়া ঠাই পালে; সেই দেশ বহল, নিৰ্জন, আৰু শান্তিপূৰ্ণ আছিল। সেই ঠাইত বাস কৰা পূৰ্বৰ লোকসকল হামৰ বংশৰ আছিল। ৪১ যিহূদাৰ ৰজা হিষ্কিয়া ৰাজত্ব কৰা সময়ত, ওপৰত উল্লেখ কৰা নামৰ লোকসকলে গৈ হামিতত বাস কৰা লোকসকলক আৰু মায়োনীয়াসকলক আক্ৰমণ কৰিলে, আৰু সেই সময়ত তেওঁলোক তাতে আছিল। তেওঁলোকে সেই লোকসকলক নিঃশেষে বিনষ্ট কৰিলে।

পাছত তেওঁলোকে পশুৰ জাকৰ বাবে উপযুক্ত চৰণীয়া ঠাই বিচাৰি
পোৱাত, তেওঁলোকে তাতে বাস কৰিলে। ৪২ তেওঁলোকৰ কেইজন
মান লোক, অৰ্থাৎ চিমিয়োনৰ সন্তান সকলৰ মাজৰ পাঁচ শ জনে যিচীৰ
পুত্ৰ পলটিয়া, নিয়ৰিয়া, ৰফায়া, আৰু উজ্জীয়েলক সেনাপতি পাতি
চেয়ীৰ পৰ্বতলৈ গ'ল। ৪৩ পাছত অমালেকীয়া সকলৰ মাজৰ পৰা যি
সকল লোক পলাই গৈ তাতে ৰক্ষা পাই আছিল, সেই লোকসকলক
তেওঁলোকে বধ কৰিলে আৰু তেওঁলোকে পাছত তাতে নিবাস কৰিব
ল'লে। আজিলৈকে তেওঁলোক তাতেই নিবাস কৰি আছে।

৫ ৰূবেণ ইস্ৰায়েলৰ প্ৰথম সন্তান আছিল, তেওঁ আছিল ইস্ৰায়েলৰ
প্ৰথম পুত্ৰ; কিন্তু তেওঁৰ পিতৃৰ শয্যা কলুষিত কৰা বাবে তেওঁ নিজৰ
জেষ্ঠাধিকাৰ হেৰুৱাইছিল, আৰু ইস্ৰায়েলৰ পুত্ৰ যোচেফৰ সন্তানক
সেই অধিকাৰ দিয়া হৈছিল। সেয়ে বংশাৱলীত তেওঁৰ নাম জেষ্ঠৰ
শ্ৰেণীত লিখা নহ'ল। ২ যিহূদা তেওঁৰ ভাইসকলৰ মাজত শক্তিশালী
আছিল, আৰু নেতা তেওঁৰ পৰাই হ'ল; কিন্তু জ্যেষ্ঠাধিকাৰ যোচেফৰ
হ'ল। ৩ ইস্ৰায়েলৰ প্ৰথম পুত্ৰ ৰূবেণৰ সন্তান সকল হ'ল, হনোক,
পল্লু, হিষ্ৰোণ, আৰু কৰ্ম্মী। ৪ যোৱেলৰ বংশধৰ এওঁলোক: যোৱেলৰ
পুত্ৰ চিময়ীয়া, চিময়িয়াৰ পুত্ৰ গোগ, গোগৰ পুত্ৰ চিমিয়ী, ৫ চিমিয়ীৰ
পুত্ৰ মীখা, মীখাৰ পুত্ৰ ৰায়া, ৰায়াৰ পুত্ৰ বাল, ৬ বালৰ পুত্ৰ বেৰা,
তেওঁক অচূৰৰ ৰজা তিলগৎ-পিলনেচৰ বন্দী কৰি লৈ গৈছিল। তেওঁ
ৰূবেণীয়াসকলৰ নেতা আছিল। ৭ যেতিয়া তেওঁলোকৰ বংশাৱলী
লিপিৰদ্ধ কৰা হৈছিল, তেতিয়া নিজ নিজ গোষ্ঠী অনুসাৰে তেওঁৰ
ভাই সকল হ'ল: প্ৰধান যিয়ীয়েল, জখৰিয়া, ৮ যোৱেলৰ পুত্ৰ চেমা,
চেমাৰ পুত্ৰ আজজ, আজজৰ পুত্ৰ বেলা। তেওঁলোক নবো আৰু
বাল-মিয়োনলৈকে অৰোয়েৰত বাস কৰিছিল, ৯ আৰু তেওঁলোক
পূবদিশে ফৰাৎ নদীৰ পৰা মৰুপ্ৰান্তৰ কাষলৈকে বাস কৰিছিল, কাৰণ
গিলিয়দ দেশত তেওঁলোকৰ পশুবোৰ বৃদ্ধি হৈছিল। ১০ চৌলৰ
ৰাজত্বৰ সময়ত তেওঁলোকে হাগৰীয়াসকলক আক্ৰমণ কৰি পৰাজিত
কৰিলে। তেওঁলোক হাগৰীয়াসকলৰ তম্বুত আৰু গিলিয়দৰ পূব দিশৰ
আটাই দেশত বাস কৰিছিল। ১১ তেওঁলোকৰ ওচৰত বাচান দেশৰ

পৰা চলখালৈকে গাদৰ সন্তান সকলে বাস কৰিছিল। ১২ যোৱেল
তেওঁলোকৰ গোষ্ঠীৰ মূৰব্বী আছিল, আৰু চাফম আন এটা গোষ্ঠীৰ
মূৰব্বী আছিল; তাৰ পাছত যনয় আৰু চাফট মূৰব্বী হ'ল। এওঁলোক
বাচানত আছিল। ১৩ তেওঁলোকৰ পিতৃ-বংশৰ সম্পৰ্কীয় সাত জন
হ'ল, মীখায়েল, মচুল্লম, চেবা, যোৰয়, যক্কন, জীয়া, আৰু এবৰ। ১৪
উল্লেখিত এই ব্যক্তিসকল অবীহয়িলৰ বংশধৰ আছিল: হূৰীৰ পুত্ৰ
অবীহয়িল আছিল। যাৰোহৰ পুত্ৰ হূৰী আছিল। গিলিয়দৰ পুত্ৰ যাৰোহ
আছিল। মীখায়েলৰ পুত্ৰ গিলিয়দ আছিল। যিচীচয়ৰ পুত্ৰ মীখায়েল
আছিল। যহদোৰ পুত্ৰ যিচীচয় আছিল। বূজৰ পুত্ৰ যহদো আছিল। ১৫
গূনীৰ পুত্ৰ অব্দীয়েল, অব্দীয়েলৰ পুত্ৰ অহী তেওঁলোকৰ পিতৃ-বংশৰ
মূল ব্যক্তি আছিল। ১৬ তেওঁলোক গিলিয়দত, বাচানৰ নগৰত, আৰু
চাৰোণৰ সীমালৈকে চৰণীয়া ঠাইত বাস কৰিছিল। ১৭ যিহূদাৰ ৰজা
যোথম আৰু ইস্ৰায়েলৰ ৰজা যাৰবিয়াম ৰাজত্বৰ সময়ত তেওঁলোকৰ
সকলোৰে বংশাৱলী লিপিৱদ্ধ কৰি ৰখিছিল। ১৮ ৰূবেণৰ, গাদীয়াৰ,
আৰু মনচিৰ আধা গোষ্ঠীৰ মাজৰ চৌৱাল্লিশ হাজাৰ সৈন্যক যুদ্ধৰ বাবে
প্ৰশিক্ষণ দিয়া হৈছিল, তেওঁলোকে ঢাল, তৰোৱাল কঢ়িয়াইছিল, আৰু
ধনু মাৰিছিল। ১৯ তেওঁলোকে হাগৰীয়া, যটূৰ, নাফীচ, আৰু নোদবক
আক্ৰমণ কৰিছিল। ২০ তেওঁলোকৰ বিৰুদ্ধে তেওঁলোকে ঈশ্বৰীয়
সহায় পাইছিল। এইদৰে হাগৰীয়াসকল আৰু তেওঁলোকৰ লগত থকা
সকলোকে তেওঁলোকে পৰাজিত কৰিলে। কিয়নো তেওঁলোকে যুদ্ধত
ঈশ্বৰৰ আগত কাতৰোক্তি কৰিলে আৰু তেওঁ তেওঁলোকৰ কাতৰোক্তি
শুনিলে, কাৰণ তেওঁলোকে তেওঁত বিশ্বাস কৰিছিল। ২১ তেওঁলোকৰ
জীৱ-জন্তুবোৰ তেওঁলোকে আটক কৰিলে, তাৰ ভিতৰত পঞ্চাশ
হাজাৰ উট, দুই লাখ পঞ্চাশ হাজাৰ মেৰ-ছাগ, দুই হাজাৰ গাধ, আৰু
এক লাখ মানুহ। ২২ কাৰণ তেওঁলোকৰ হৈ ঈশ্বৰে যুদ্ধ কৰিছিল,
সেয়ে বহুতো শত্ৰুক তেওঁলোকে হত্যা কৰিছিল। এইদৰে বন্দী কৰি
নিয়া সময়লৈকে তেওঁলোকৰ ঠাই সমূহত তেওঁলোকে বাস কৰিছিল।
২৩ মনচিৰ আধা গোষ্ঠীৰ লোকসকলে বাচান দেশৰ পৰা বাল-হৰ্মোন,
আৰু চনীৰলৈকে বাস কৰিছিল। ২৪ তেওঁলোকৰ নিজ নিজ বংশৰ

নেতাসকল হ'ল: এৰফ, যিচী, ইল্ৰীয়েল, যিৰিমিয়া, হোদবিয়া, আৰু
যহদিয়েল। এওঁলোক বলৱান, সাহসী, নাম জ্বলা, আৰু নিজ নিজ
পিতৃ-বংশৰ নেতা আছিল। ২৫ কিন্তু তেওঁলোক পূৰ্বপুৰুষৰ ঈশ্বৰৰ প্ৰতি
অবিশ্বাসী আছিল। ঈশ্বৰে তেওঁলোকৰ সন্মুখত যাক ধ্বংস কৰিছিল,
সেই দশৰ তেনে দেৱ-দেৱীবোৰক তেওঁলোকে আৰাধনা কৰিছিল।
২৬ সেয়ে অজৰীয়াৰ ৰজা পূলক ইস্ৰায়েলৰ ঈশ্বৰে অস্থিৰ কৰিলে,
তিলগৎ-পিলনেচৰ বুলি কোৱা হয়। তেওঁ ৰূবেণীয়া, গাদীয়া, আৰু
মনচিৰ আধাগোষ্ঠীৰ লোকসকলক হাবোৰ, হাৰা, গোজনৰ নদীলৈকে
লৈ গ'ল; আজিলৈকে তেওঁলোকে সেই ঠাইতে আছে।

৬ লেবীৰ পুত্ৰ গেৰ্চোন, কহাৎ, আৰু মৰাৰী। ২ কহাতৰ পুত্ৰ অম্ৰম,
যিচহৰ, হিব্ৰোণ আৰু উজ্জীয়েল। ৩ অম্ৰমৰ পুত্ৰ হাৰোণ, মোচি, আৰু
তেওঁৰ ছোৱালী মিৰিয়ম। হাৰোণৰ পুত্ৰ নাদব, অবীহূ, ইলিয়াজৰ,
আৰু ঈথামৰ। ৪ ইলিয়াজৰৰ পুত্ৰ পীনহচ, পীনহচৰ পুত্ৰ অবীচুৱা। ৫
অবীচুৱাৰ পুত্ৰ বুক্কী, বুক্কীৰ পুতেক উজ্জী। ৬ উজ্জীৰ পুত্ৰ জৰহীয়া,
জৰহীয়াৰ পুত্ৰ মৰায়োৎ। ৭ মৰায়োতৰ পুত্ৰ অমৰিয়া, অমৰিয়াৰ
পুত্ৰ অহীটুব। ৮ অহীটুবৰ পুত্ৰ চাদোক, চাদোকৰ পুত্ৰ অহীমাচ। ৯
অহীমাচৰ পুত্ৰ অজৰিয়া, অজৰিয়াৰ পুত্ৰ যোহানন। ১০ যোহাননৰ পুত্ৰ
অজৰিয়া, অজৰিয়াই যিৰূচালেমত চলোমনে নিৰ্মাণ কৰা মন্দিৰত
কাম কৰিছিল। ১১ অজৰিয়াৰ পুত্ৰ অমৰিয়া, অমৰিয়াৰ পুত্ৰ অহীটুব।
১২ অহীটুবৰ পুত্ৰ চাদোক, চাদোকৰ পুত্ৰ চল্লুম। ১৩ চল্লুমৰ পুত্ৰ
হিল্কিয়া, হিল্কিয়াৰ পুত্ৰ অজৰিয়া; ১৪ অজৰিয়াৰ পুত্ৰ চৰায়া, চৰায়াৰ
পুত্ৰ যিহোচাদক। ১৫ যি সময়ত যিহোৱাই নবূখদনেচৰৰ দ্বাৰাই যিহূদা
আৰু যিৰূচালেমক বন্দী কৰিছিল, সেই সময়ত যিহোচাদককো বন্দী
কৰি নিয়া হৈছিল। ১৬ লেবীৰ পুত্ৰ গেৰ্চোম, কহাৎ, আৰু মৰাৰী।
১৭ গেৰ্চোমৰ পুত্ৰসকলৰ নাম লিবনী আৰু চিমিয়ী। ১৮ কহাতৰ পুত্ৰ
অম্ৰম, যিচহৰ, হিব্ৰোণ, আৰু উজ্জীয়েল। ১৯ মৰাৰীৰ পুত্ৰ মহলী
আৰু মুচী। এওঁলোক পিতৃ-বংশ অনুসাৰে লেবীয়া গোষ্ঠীৰ লোক
আছিল। ২০ গেৰ্চোমৰ বংশধৰ লিবনী। লিবনীৰ পুত্ৰ যহৎ। যহতৰ
পুত্ৰ জিম্মা। ২১ জিম্মাৰ পুত্ৰ যোৱাহ। যোৱাহৰ পুত্ৰ ইদ্দো। ইদ্দোৰ

পুত্ৰ জেৰহ। জেৰহৰ পুত্ৰ যিয়থৰয়। ২২ কহাতৰ বংশধৰ তেওঁৰ পুত্ৰ অম্মীনাদব। অম্মীনাদবৰ পুত্ৰ কোৰহ। কোৰহৰ পুত্ৰ অচীৰ। ২৩ অচীৰৰ পুত্ৰ ইলকানা। ইলকানাৰ পুত্ৰ অবিয়াচফ। অবিয়াচফৰ পুত্ৰ অচীৰ। ২৪ অচীৰৰ পুত্ৰ তহৎ। তহতৰ পুত্ৰ উৰীয়েল। উৰীয়েলৰ পুত্ৰ উজ্জীয়া। উজ্জীয়াৰ পুত্ৰ চৌল। ২৫ ইলকানাৰ পুত্ৰ অমাচয়, অহীমোৎ আৰু ইলকানা। ২৬ দ্বিতীয় ইলকানাৰ পুত্ৰ চফয়। চফয়ৰ পুত্ৰ নহৎ। ২৭ নহতৰ পুত্ৰ ইলীয়াব। ইলীয়াবৰ পুত্ৰ যিৰোহম। যিৰোহমৰ পুত্ৰ ইলকানা। ২৮ চমূৱেলৰ প্ৰথম পুত্ৰ যোৱেল, দ্বিতীয় পুত্ৰ অবিয়া। ২৯ মৰাৰীৰ পুত্ৰ মহলী। মহলীৰ পুত্ৰ লিবনী। লিবনীৰ পুত্ৰ চিমিয়ী। ৩০ চিমিয়ীৰ পুত্ৰ উজ্জা। উজ্জাৰ পুত্ৰ চিমিয়া। চিমিয়াৰ পুত্ৰ হগিয়া। হগিয়াৰ পুত্ৰ অচায়া। ৩১ নিয়ম-চন্দুক জিৰণিৰ ঠাইলৈ অহাৰ পাছত, দায়ূদে যি লোকসকলক যিহোৱাৰ গৃহত সঙ্গীতৰ দ্বায়ীত্ব দিছিল, তেওঁলোকৰ নাম তলত উল্লেখ কৰা হ’ল। ৩২ চলোমনে যিৰূচালেমত যিহোৱাৰ গৃহ নিৰ্ম্মাণ নকৰালৈকে তেওঁলোকে উপাসনা গৃহৰ সন্মুখত, সভা বহা তম্বুৰ সন্মুখত গানৰ দ্বাৰাই যিহোৱাৰ সেৱা কৰিছিল। তেওঁলোকলৈ দিয়া নিৰ্দ্দেশ অনুযায়ী তেওঁলোকে নিজৰ কাৰ্য সম্পন্ন কৰিছিল। ৩৩ এওঁলোকেই সেই সকল যি নিজৰ সন্তান সকলৰ সৈতে পৰিচৰ্যা কৰিছিল। কহাতৰ গোষ্ঠীৰ পৰা সংগীতজ্ঞ হেমন আহিছিল। ইয়াত তেওঁৰ পূৰ্বপূৰুষৰ নাম উল্লেখ কৰা হ’ল: হেমন আছিল যোৱেলৰ পুত্ৰ। যোৱেল আছিল চমূৱেলৰ পুত্ৰ। ৩৪ চমূৱেল আছিল ইলকানাৰ পুত্ৰ। ইলকানা আছিল যিৰোহমৰ পুত্ৰ। যিৰিহম আছিল ইলীয়েলৰ পুত্ৰ। ইলীয়েল আছিল তোহৰ পুত্ৰ। ৩৫ তোহ আছিল চুফৰ পুত্ৰ। চুফ আছিল ইলকানাৰ পুত্ৰ। মহতৰ পুত্ৰ ইলকানা। ইলকানা আছিল মহৎ অমাচয়ৰ পুত্ৰ। অমাচয় আছিল ইলকানাৰ পুত্ৰ। ৩৬ ইলকানা আছিল যোৱেলৰ পুত্ৰ। যোৱেল আছিল অজৰিয়াৰ পুত্ৰ। অজৰিয়া আছিল চফনিয়াৰ পুত্ৰ। ৩৭ চফনিয়া আছিল তহতৰ পুত্ৰ। তহৎ আছিল অচীৰৰ পুত্ৰ। অচীৰ আছিল অবিয়াচফৰ পুত্ৰ। অবিয়াচফ আছিল কোৰহৰ পুত্ৰ। ৩৮ কোৰহ আছিল যিচহৰৰ পুত্ৰ। যিচহ আছিল কহাতৰ পুত্ৰ। কহাৎ আছিল লেবীৰ পুত্ৰ। লেবী আছিল ইস্ৰায়েলৰ পুত্ৰ। ৩৯ হেমনৰ লগৰীয়া

আচফ। তেওঁ হেমনৰ সোঁহাতে থিয় হৈছিল। আচফ আছিল বেৰেখিয়াৰ পুত্ৰ। বেৰেখিয়া আছিল চিমিয়াৰ পুত্ৰ। ৪০ চিমিয়া আছিল মীখায়েলৰ পুত্ৰ। মীখায়েল আছিল বাচেয়াৰ পুত্ৰ। বাচেয়া আছিল মল্কিয়াৰ পুত্ৰ। ৪১ মল্কিয়া আছিল ইৎনীৰ পুত্ৰ। ইৎনি আছিল জেৰহৰ পুত্ৰ। জেৰহ আছিল অদায়াৰ পুত্ৰ। ৪২ অদায়া আছিল এথনৰ পুত্ৰ। এথন আছিল জিম্মাৰ পুত্ৰ। জিম্ম আছিল চিমিয়ীৰ পুত্ৰ। ৪৩ চিমিয়া আছিল যহতৰ পুত্ৰ। জহৎ আছিল গেৰ্চোমৰ পুত্ৰ। গেৰ্চোম আছিল লেবীৰ পুত্ৰ। ৪৪ মৰাৰীৰ সন্তান সকল হেমনৰ সহকৰ্মী আছিল, আৰু তেওঁলোক তেওঁৰ বাওঁহাতে থিয় হৈছিল। তেওঁলোক কীচীৰ পুত্ৰ এথনকো অন্তৰ্ভুক্ত কৰিছিল। কীচী আছিল অব্দীৰ পুত্ৰ। অব্দী আছিল মল্লূকৰ পুত্ৰ। ৪৫ মল্লূক আছিল হচবিয়াৰ পুত্ৰ। হচবিয়া আছিল অমচিয়াৰ পুত্ৰ। অমচিয়া আছিল হিল্কিয়াৰ পুত্ৰ। ৪৬ হিল্কিয়া আছিল অমচীৰ পুত্ৰ। অমচী আছিল বানীৰ পুত্ৰ। বানী আছিল চেমৰৰ পুত্ৰ। ৪৭ চেমৰ আছিল মহলীৰ পুত্ৰ। মহলী আছিল মুচিৰ পুত্ৰ। মুচী আছিল মৰাৰীৰ পুত্ৰ। মৰাৰী আছিল লেবীৰ পুত্ৰ। ৪৮ তেওঁলোকৰ সহকৰ্মী লেবীয়া লোকসকলক ঈশ্বৰৰ গৃহৰ পবিত্ৰ স্থানৰ সকলো কাৰ্যৰ বাবে নিযুক্ত কৰা হৈছিল। ৪৯ হাৰোণ আৰু তেওঁৰ পুত্ৰসকলে একেলগে মহা-পবিত্ৰ স্থানৰ সকলো কাৰ্য কৰিছিল। ইস্ৰায়েলক প্ৰায়শ্চিত কৰিবলৈ যজ্ঞবেদিৰ ওপৰত হোম-বলি দিছিল, আৰু ধূপ-বেদিৰ ওপৰত ধূপ জ্বলাইছিল। এই সকলো ঈশ্বৰৰ দাস মোচিৰ আজ্ঞা অনুসাৰে তেওঁলোকে কৰিছিল।। ৫০ হাৰোণৰ বংশধৰ সকলক তলত দিয়াৰ দৰে বিবেচনা কৰা হৈছিল: হাৰোণৰ পুত্ৰ আছিল ইলিয়েজৰ। ইলিয়াজৰৰ পুত্ৰ আছিল পীনহচ। পীনহচৰ পুত্ৰ আছিল অবীচুৱা ৫১ অবীচূৱাৰ পুত্ৰ আছিল বুক্কী। বুক্কীৰ পুত্ৰ আছিল উজ্জী। উজ্জীৰ পুত্ৰ আছিল জৰহীয়া। ৫২ জৰহীয়াৰ পুত্ৰ আছিল মৰায়োৎ। মৰায়োতৰ পুত্ৰ আছিল অমৰিয়া। অমৰিয়াৰ পুত্ৰ আছিল অহীটুব। ৫৩ অহীচুবৰ পুত্ৰ আছিল চদোক। চাদোকৰ পুত্ৰ আছিল অহীমাচ। ৫৪ তলত উল্লেখিত ঠাইসমূহ হাৰোণৰ বংশধৰ সকললৈ নিৰ্ধাৰণ কৰা হৈছিল। কহাতীয়া গোষ্ঠীসকলৰ বাবে। চিঠি খেলৰ যোগেদি তেওঁলোকৰ বাবে প্ৰথম ঠাই নিৰ্ধাৰণ কৰা: ৫৫

তেওঁলোকক যিহূদা দেশৰ হিব্ৰোণ আৰু তাৰ চাৰিওফালৰ চৰণীয়া ঠাই দিয়া হ'ল। ৫৬ কিন্তু সেই নগৰৰ পথাৰ আৰু চাৰিওফালৰ গাওঁবোৰ যিফুন্নিৰ পুত্ৰ কালেবক দিয়া হ'ল। ৫৭ হাৰোণৰ বংশধৰসকলক হিব্ৰোণ দিয়া হৈছিল- যিখন এখন আশ্ৰয়-নগৰ আছিল, চৰণীয়া ঠায়ে সৈতে লিব্‌না, যত্তীৰ, আৰু ইষ্টমোৱা, ৫৮ চৰণীয়া ঠায়ে সৈতে হীলেন, আৰু চৰণীয়া ঠায়ে সৈতে দবীৰ দিয়া হ'ল। ৫৯ হাৰোণৰ বংশধৰ সকলক চৰণীয়া ঠায়ে সৈতে আচন আৰু চৰণীয়া ঠায়ে সৈতে বৈৎচেমচো দিয়া হ'ল। ৬০ বিন্যামীন জাতিৰ পৰা তেওঁলোকক চৰণীয়া ঠায়ে সৈতে গেবা, চৰণীয়া ঠায়ে সৈতে অল্লেমৎ, আৰু চৰণীয়া ঠায়ে সৈতে অনাথোৎ দিয়া হ'ল। কহাতীয়া গোষ্ঠীৰ লোকসকলে সৰ্ব্বমুঠ তেৰখন নগৰ পাইছিল। ৬১ কহাতৰ অৱশিষ্ট বংশধৰ সকলক মনচিৰ আধা জাতিৰ পৰা চিঠি খেলাই দহখন নগৰ দিয়া হ'ল। ৬২ গেৰ্চোমৰ বংশধৰসকলক তেওঁলোকৰ বিভিন্ন গোষ্ঠী অনুসাৰে ইচাখৰ গোষ্ঠীৰ, আচেৰ গোষ্ঠীৰ, নপ্তালী গোষ্ঠীৰ, আৰু বাচানত থকা মনচিৰ গোষ্ঠীৰ পৰা তেৰখন নগৰ দিয়া হ'ল। ৬৩ মৰাৰীৰ বংশধৰ সকলক বিভিন্ন গোষ্ঠী অনুসাৰে ৰূবেণ জাতিৰ, গাদ জাতিৰ, আৰু জবূলূন জাতিৰ পৰা, চিঠি খেলাই বাৰখন নগৰ দিয়া হ'ল। ৬৪ এইদৰে ইস্ৰায়েলৰ লোকসকলে লেবীয়াসকলক চৰণীয়া ঠায়ে সৈতে এইবোৰ নগৰ দিলে। ৬৫ তেওঁলোকে যিহূদা, চিমিয়োন, বিন্যামীনৰ লোকসকলৰ জাতিৰ পৰা, চিঠি খেলাই ওপৰত লিখা নগৰবোৰ তেওঁলোকক দিলে। ৬৬ কিছুমান কহাত গোষ্ঠীৰ লোকসকলক ইফ্ৰয়িম জাতিৰ পৰা নগৰবোৰ দিয়া হ'ল। ৬৭ তেওঁলোকক চিখিম, চৰণীয়া ঠায়ে সৈতে ইফ্ৰয়িমৰ পৰ্বতীয়া দেশ, চৰণীয়া ঠায়ে সৈতে গেজৰ, ৬৮ চৰণীয়া ঠায়ে সৈতে যকমিয়াম, চৰণীয়া ঠায়ে সৈতে বৈৎ-হোৰোণ, ৬৯ চৰণীয়া ঠায়ে সৈতে অয়ালোন, আৰু চৰণীয়া ঠায়ে সৈতে গৎ-ৰিম্মোণ দিয়া হ'ল। ৭০ কহাতৰ অৱশিষ্ট গোষ্ঠীৰ লোকসকলৰ বাবে মনচিৰ আধা জাতিৰ পৰা চৰণীয়া ঠায়ে সৈতে অনেৰ, আৰু চৰণীয়া ঠায়ে সৈতে বিলিয়ম দিয়া হ'ল। ৭১ গেৰ্চোমৰ বংশধৰ সকলক মনচিৰ গোষ্ঠীৰ আধা জাতিৰ পৰা, চৰণীয়া ঠায়ে সৈতে বাচানত থকা গোলন, আৰু চৰণীয়া ঠায়ে

চৈতে অষ্টাৰোৎ দিয়া হ'ল। ৭২ ইচাখৰ জাতিৰ পৰা গেৰ্চোম বংশধৰ
লোকসকলে চৰণীয়া ঠায়ে চৈতে কেদচ, চৰণীয়া ঠায়ে চৈতে দাবৰৎ,
৭৩ চৰণীয়া ঠায়ে চৈতে ৰমোৎ, আৰু চৰণীয়া ঠায়ে চৈতে আনেম
পাইছিল। ৭৪ আচেৰ জাতিৰ পৰা তেওঁলোক চৰণীয়া ঠায়ে চৈতে
মিচাল, চৰণীয়া ঠায়ে চৈতে অব্দোন ৭৫ চৰণীয়া ঠায়ে চৈতে হূকোক,
আৰু চৰণীয়া ঠায়ে চৈতে ৰহোব পাইছিল। ৭৬ নপ্তালী জাতিৰ পৰা
তেওঁলোকে চৰণীয়া ঠায়ে চৈতে গালীলত থকা কেদচ, চৰণীয়া ঠায়ে
চৈতে হম্মোন, আৰু চৰণীয়া ঠায়ে চৈতে কিৰিয়াথয়িম পাইছিল।। ৭৭
লেবীয়াসকলৰ অৱশিষ্ট, মৰাৰীৰ বংশধৰ সকলক জবূলূন জাতিৰ পৰা
চৰণীয়া ঠায়ে চৈতে ৰিম্মোন, আৰু চৰণীয়া ঠায়ে চৈতে তাবোৰ দিয়া
হ'ল। ৭৮ তেওঁলোকক ৰূবেণ জাতিৰ পৰা যিৰীহোত থকা যৰ্দ্দন নদীৰ
আন দিশৰ পূব পাৰত থকা চৰণীয়া ঠায়েৰে চৈতে মৰুভূমিত থকা
বেচৰ, চৰণীয়া ঠায়ে চৈতে যহচা, চৰণীয়া ঠায়ে চৈতে কদেমোৎ, আৰু
চৰণীয়া ঠায়ে চৈতে মেফাৎ দিয়া হ'ল। ৮০ গাদ জাতিৰ পৰা চৰণীয়া
ঠায়ে চৈতে গিলিয়দত থকা ৰমোৎ, চৰণীয়া ঠায়ে চৈতে মহনয়িম, ৮১
চৰণীয়া ঠায়ে চৈতে হিচবোন, আৰু চৰণীয়া ঠায়ে চৈতে যাজেৰ দিয়া
হ'ল।

**৭** ইচাখৰৰ চাৰি জন পুত্ৰ আছিল; তেওঁলোক হ'ল, তোলা, পূৱা, যাচূব,
আৰু চিম্ৰোণ। ২ তোলাৰ পুত্ৰ সকল হ'ল, উজ্জী, ৰফায়া, যিৰিয়েল,
যহময়, যিবচম, আৰু চমূৱেল। এওঁলোক পূৰ্বপুৰুষৰ পৰা অহা বংশৰ
মূল মানুহ। এয়াই হ'ল, তোলাৰ বংশ। তেওঁলোক শক্তিশালী আৰু
সাহিয়াল আছিল, দায়ূদৰ সময়ত তেওঁলোকৰ সংখ্যা বাইশ হাজাৰ
ছশ জন আছিল। ৩ উজ্জীৰ পুত্ৰ যিজ্ৰহিয়া, যিজ্ৰহিয়াৰ পুত্ৰ মীখায়েল,
ওবদিয়া, যোৱেল, আৰু যিচিয়া, এই পাঁচ জনৰ সকলোৱেই নিজ
গোষ্ঠীৰ নেতা আছিল। ৪ তেওঁলোকৰ চৈতে পিতৃ-বংশৰ জাতি
অনুসাৰে যুদ্ধৰ বাবে ছয়ত্ৰিশ হাজাৰ সৈন্য আছিল। তেওঁলোকৰ বহুতো
ভাৰ্যা আৰু সন্তান আছিল। ৫ পূৰ্বপুৰুষৰ জাতিৰ তালিকা অনুযায়ী
ইচাখৰৰ জাতিৰ ভিতৰত তেওঁলোকৰ সাতাশী হাজাৰ যুদ্ধাৰু আছিল।
৬ বেলা, বেখৰ, আৰু যিদীয়েল; এই তিনি জন আছিল বিন্যামীনৰ পুত্ৰ।

৭ বেলাৰ পাঁচ জন পুত্ৰ হ'ল, ইচবোন, উজ্জী, উজ্জীয়েল, যিৰীমোৎ,
আৰু ঈৰী। তেওঁলোক নিজৰ গোষ্ঠীৰ মূল ব্যক্তি আৰু সৈনিক আছিল।
পূৰ্বপূৰুষৰ তালিকা অনুযায়ী তেওঁলোকৰ যুদ্ধাৰুৰ সংখ্যা বাইশ হাজাৰ
চৌত্ৰিশ জন আছিল। ৮ জমীৰা, যোৱাচ, ইলীয়েজৰ, ইলিয়োঐনয়,
অম্ৰী, যিৰোমোৎ, অবিয়া, অনাথোৎ, আৰু আলেমৎ; এই সকলো
বেখৰৰ সন্তান। ৯ তালিকাত দিয়া গোষ্ঠীৰ সংখ্যা অনুযায়ী বিশ হাজাৰ
দুশ পৰিয়ালৰ নেতা আৰু যুদ্ধাৰু লোক আছিল। ১০ যিদীয়েলৰ পুত্ৰ
বিলহন। বিলহনৰ পুত্ৰ যিয়ূচ, বিন্যামীন, অহূদ, কনানা, জেথন, তৰ্চীচ,
আৰু অহীচহৰ। ১১ এই সকলো যিদীয়েলৰ সন্তান। তেওঁলোকৰ
গোষ্ঠীৰ তালিকা অনুযায়ী সোঁতৰ হাজাৰ দুশ নেতা আৰু সৈনিকৰ
কাৰ্যৰ বাবে উপযুক্ত যুদ্ধাৰু লোক আছিল। ১২ চুপ্পীম আৰু হুপ্পীম ঈৰৰ
বংশৰ আছিল আৰু অহেৰৰ বংশৰ আছিল হূচীম ১৩ নপ্তালীৰ পুত্ৰ
যহচীয়েল, গূনী, যেচৰ, আৰু চল্লুম। এই লোকসকল আছিল বিলহাৰ
নাতি ল'ৰা। ১৪ অস্ৰীয়েলৰ পুত্ৰ আছিল মনচি। অস্ৰীয়েলৰ অৰামীয়া
উপপত্নীয়ে তেওঁক জন্ম দিছিল। তেওঁ গিলিয়দৰ পিতৃ মাখীৰকো
জন্ম দিছিল। ১৫ মাখীৰে হুপ্পীম আৰু চুপ্পীমৰ বংশৰ পৰা এগৰাকী
যুৱতীক ভাৰ্যা ৰূপে গ্ৰহণ কৰিছিল। তেওঁৰ এগৰাকী ভনীয়েকৰ
নাম আছিল মাখা। মনচিৰ আন বংশধৰ আছিল চলফাদ, চলফাদৰ
কেৱল জীয়েকহে আছিল। ১৬ মাখীৰৰ ভাৰ্যা মাখাই এটি পুত্ৰ প্ৰসৱ
কৰি তেওঁৰ নাম পেৰচ ৰাখিলে, পেৰচৰ ভায়েকৰ নাম চেৰচ, আৰু
চেৰচৰ পুত্ৰ সকলৰ নাম উলম আৰু ৰেকম। ১৭ উলমৰ পুত্ৰ বদান।
এওঁলোক মনচিৰ নাতি মাখীৰৰ পুত্ৰ গিলিয়দৰ সন্তান আছিল। ১৮
গিলিয়দৰ ভনীয়েক হম্মোলেকতে ইচহোদ, অবীয়াচৰ, আৰু মহলাক
প্ৰসৱ কৰিলে। ১৯ আৰু চমীদাৰ পুত্ৰ অহিয়ন, চেখম, লিকহী, আৰু
অনীয়াম। ২০ তলত উল্লেখিত সকল ইফ্ৰয়িমৰ বংশৰ লোকসকল:
ইফ্ৰয়িমৰ পুত্ৰ চুথেলহ, চুথেলহৰ পুত্ৰ বেৰদ, বেৰদৰ পুত্ৰ তহৎ,
তহতৰ পুত্ৰ ইলিয়াদা, ইলিয়াদৰ পুত্ৰ তহৎ, ২১ তহতৰ পুত্ৰ যাবদ,
যাবদৰ পুত্ৰ চূথেলহ। যেতিয়া এজৰ আৰু ইলিয়দে গাতৰ লোকসকলৰ
পশু চুৰ কৰিবলৈ আহিছিল, তেতিয়া তেওঁলোকক গাতৰ লোকসকলে

নগৰত বধ কৰিছিল। ২২ তেওঁলোকৰ পিতৃ ইফ্ৰয়িমে বহুত দিনলৈকে
তেওঁলোকৰ বাবে শোক কৰিছিল, আৰু তেওঁৰ ভাই সকলে তেওঁক
শান্ত্বনা দিবলৈ আহিছিল। ২৩ তেওঁ নিজৰ ভাৰ্য্যাৰ লগত শয়ন কৰিলে।
তেওঁ গৰ্ভৱতী হৈ এটি পুত্ৰ প্ৰসৱ কৰিলে। তেওঁলোকৰ ঘৰত সেই
সময়ত অমঙ্গল ঘটিছিল কাৰণে ইফ্ৰয়িমে তাৰ নাম ৰবীয়া ৰাখিলে।
২৪ তেওঁৰ জীয়েকৰ নাম আছিল চেৰা। চেৰাই ওপৰ আৰু তল বৈৎ-
হোৰোণ আৰু উজ্জেন চেৰা নিৰ্ম্মাণ কৰিছিল। ২৫ ৰবীয়াৰ পুত্ৰ আছিল
ৰেফহ। ৰেফহৰ পুত্ৰ আছিল ৰেচফ। ৰেচফৰ পুত্ৰ আছিল তেলহ।
তেলহৰ পুত্ৰ আছিল তহন। ২৬ তহনৰ পুত্ৰ আছিল লদ্দন। লদ্দনৰ পুত্ৰ
আছিল অম্মীহূদ। অম্মীহূদৰ পুত্ৰ আছিল ইলীচামা। ২৭ ইলীচামাৰ পুত্ৰ
আছিল নূন। নুনৰ পুত্ৰ আছিল যিহোচূৱা। ২৮ তেওঁলোকে বৈৎএল
আৰু তাৰ চাৰিওফালৰ গাওঁ অধিকাৰ কৰি তাতে বসবাস কৰিছিল।
তেওঁলোকে পূবদিশে নাৰণ, পশ্চিমদিশে গেজৰ আৰু তাৰ গাওঁসমূহ,
চিখিম আৰু তাৰ গাওঁসমূহ, অহিয়া আৰু তাৰ গাওঁসমূহলৈকে বিস্তাৰিত
হৈছিল। ২৯ মনচিৰ সীমাত বৈৎ-চান আৰু তাৰ গাওঁসমূহ, তানক
আৰু তাৰ গাওঁসমূহ, মগিদ্দো আৰু তাৰ গাওঁসমূহৰ লগতে দোৰ আৰু
তাৰ গাওঁসমূহ। এইবোৰ ঠাইত ইস্ৰায়েলৰ পুত্ৰ যোচেফৰ বংশৰ
লোকসকলে বাস কৰিছিল। ৩০ আচেৰৰ পুত্ৰ যিম্না, যিচবা, যিচবি,
বৰীয়া আৰু তেওঁলোকৰ ভনীয়েক চেৰহ আছিল। ৩১ বৰীয়াৰ পুত্ৰ
হেবৰ আৰু মল্কীয়েল। এওঁ বিৰ্জয়িতৰ পিতৃ আছিল। ৩২ হেবৰৰ পুত্ৰ
যফলেট, চোমেৰ, আৰু হোথম। এওঁলোকৰ চূৱা নামেৰে ভনী আছিল।
৩৩ যফলেটৰ পুত্ৰ পাচক, বিমহল, আৰু অশ্বৎ। এওঁলোক যফলেটৰ
সন্তান। ৩৪ যফলেটৰ ভায়েক চেমৰৰ পুত্ৰসকল: ৰহগা, যিহুব্বা, আৰু
আৰাম। ৩৫ চেমৰৰ ভায়েক হেলমৰ পুত্ৰসকল: চোফহ, যিম্না চেলচ,
আৰু আমল। ৩৬ চোফহৰ পুত্ৰ চূহ, হৰ্ণেফৰ, চূৱাল, বেৰী, আৰু যিম্ৰা,
৩৭ বেৎচ, হোদ, চম্মা, চিলচা, যিত্ৰণ, আৰু বেৰা। ৩৮ যেথৰৰ পুতেক
যিফুন্নি, পিস্পা, আৰু অৰা। ৩৯ উল্লাৰ বংশধৰসকল হ'ল আৰহ,
হন্নীয়েল, আৰু ৰিচিয়া। ৪০ এই সকলো আচেৰৰ বংশধৰ আছিল।
এওঁলোক গোষ্ঠীৰ মূল ব্যক্তি, পৰিয়ালৰ নেতা, বিশিষ্ট লোক, যুদ্ধাৰু,

আৰু নেতাসকলৰ মাজত প্ৰধান আছিল। তেওঁলোকৰ গণনাৰ তালিকা
অনুসৰি যুদ্ধৰ বাবে ছাবিশ হাজাৰ উপযুক্ত সৈনিক আছিল।

৮ বিন্যামীনৰ পাঁচ জন পুত্ৰ, তেওঁৰ প্ৰথম পুত্ৰ বেলা, তাৰ পাছত
অচবেল, অহৰহ, ২ নোহা, আৰু ৰাফা। ৩ বেলাৰ পুত্ৰ অদ্দৰ, গেৰা,
অবীহূদ, ৪ অবীচূৱা, নামন, অহোহ, ৫ গেৰা, চফুফন, আৰু হূৰম।
৬ এওঁলোক এহূদৰ বংশৰ লোক, এওঁলোক গেবাৰ গোষ্ঠীৰ মূৰব্বী
আছিল, মানহতলৈ যাবলৈ বাধ্য কৰা লোক এওঁলোক: ৭ নামন,
অহিয়া, আৰু গেৰা। তেওঁলোকৰ যাত্ৰাত গেৰাই নেতৃত্ব দিছিল। গেৰাৰ
পুত্ৰ উজ্জা আৰু অহীহূদ। ৮ চহৰয়িমে তেওঁৰ ভাৰ্যা হূচীম আৰু বাৰাক
ত্যাগ কৰাৰ পাছত, চহৰয়িম মোৱাব দেশত তেওঁৰ সন্তান সকলৰ
পিতৃ হ'ল। ৯ তেওঁৰ ভাৰ্যা হোদচৰ পৰা জন্ম হোৱা পুত্ৰ যোবব, চিবিয়া
মেচা, আৰু মল্কমৰ তেওঁ পিতৃ হ'ল। ১০ যিয়ূচ, চবিয়া, আৰু মিৰ্মা।
এওঁলোক তেওঁৰ পুত্ৰ আছিল আৰু তেওঁলোকৰ গোষ্ঠীৰ নেতা আছিল।
১১ ইতিমধ্যে তেওঁ হূচীমে জন্ম দিয়া পুত্ৰ অবীটুব আৰু ইল্পালৰ পিতৃ
হ'ল। ১২ ইল্পালৰ পুত্ৰ এৰব, মিচয়ম, আৰু চেমদ, তেৱেঁই ওনো আৰু
চাৰিওফালৰ গাৱেঁ সৈতে লোদৰ নিৰ্ম্মাণ কৰিছিল, ১৩ তাত বৰীয়া আৰু
চেমাও আছিল। তেওঁলোক অয়ালোন নিবাসী গোষ্ঠীৰ প্ৰধান লোক, যি
জনে গাত নিবাসীসকলক বাহিৰ কৰি দিছিল। ১৪ এওঁলোক বৰীয়াৰ
পুত্ৰ: অহিয়ো, চাচক, যিৰেমোৎ, ১৫ জবদিয়া অৰদ, এদৰ, ১৬
মীখায়েল, যিস্পা, আৰু যোহা, ১৭ এওঁলোক ইল্পালৰ পুত্ৰ: জবদিয়া,
মচুল্লম, হিস্কী, হেবৰ, যিচমৰয়, যিজলিয়া, আৰু যোবব, ১৯ এওঁলোক
চিমিয়ীৰ পুত্ৰ: যাকীম, জিখ্ৰী, জব্দী, ইলীঐনয়, চিল্লথয়, ইলীয়েল,
অদায়া, বৰায়া, আৰু চিম্ৰৎ। ২২ এওঁলোক চাচকৰ পুত্ৰ: যিস্পন, এৰব,
ইলীয়েল, অব্দোল, জিখ্ৰী, হানন, হননিয়া, এলম, অন্তোথিয়া, যিফদিয়া
আৰু পনূৱেল, ২৬ এওঁলোক যিৰোহমৰ পুত্ৰ: চমচৰয়, চহৰিয়া,
অথলিয়া, যৰেচিয়া, এলিয়া, আৰু জিখ্ৰী, ২৮ এওঁলোক যিৰূচালেমত
বাস কৰা লোকসকলৰ বংশৰ প্ৰধান লোক আৰু নেতা আছিল। ২৯
গিবিয়োনৰ পিতৃ যিয়ীয়েল গিবিয়োনত বাস কৰিছিল; তেওঁৰ ভাৰ্য্যাৰ
নাম মাখা আছিল। ৩০ তেওঁৰ প্ৰথমে জন্মা পুত্ৰ আব্দোন, তাৰ পাছত

চূৰ, কীচ, বাল, নাদব, ৩১ গদোৰ, অহিয়ো, আৰু জেখৰ। ৩২ আন
এজন যিজীয়েলৰ পুত্ৰ মিক্লোত, মিক্লোতৰ পুত্ৰ চিমিয়া। তেওঁলোকে
নিজৰ সম্বন্ধীয় সকলৰ ওচৰতে যিৰূচালেমত বাস কৰিছিল। ৩৩ নেৰৰ
পুত্ৰ কীচ আছিল। কিচৰ পুত্ৰ চৌল আছিল। চৌলৰ পুত্ৰ যোনাথন,
মল্কীচুৱা, অবীনাদব, আৰু ইচবাল। ৩৪ যোনাথনৰ পুত্ৰ মৰীব-বাল।
মৰীব-বালৰ পুত্ৰ মীখা আছিল। ৩৫ মীখাৰ পুত্ৰ পীথোন, মেলক,
তৰেয়া, আৰু আহজ। ৩৬ আহজৰ পুত্ৰ যিহোৱদ্দা। যিহোৱদ্দাৰ পুত্ৰ
আলোমোৎ, অজমাবৎ, আৰু যিম্ৰী। যিম্ৰীৰ পুত্ৰ মোচা। ৩৭ মোচাৰ
পুত্ৰ বিনিয়া। বিনিয়াৰ পুত্ৰ ৰাফা। ৰাফাৰ পুত্ৰ ইলিয়াচা। ইলিয়াচাৰ
পুত্ৰ আচেল। ৩৮ আচেলৰ ছয় জন পুত্ৰ আছিল: অজ্ৰীকাম, বোখৰু,
ইশ্মায়েল, চিয়ৰিয়া, ওবদিয়া, আৰু হানন। এওঁলোক সকলো আচেলৰ
সন্তান। ৩৯ আচেলৰ ভায়েক এচেকৰ প্ৰথম পুত্ৰ উলম, দ্বিতীয় যিয়ুচ,
আৰু তৃতীয় ইলীফেলট। ৪০ উলমৰ পুত্ৰসকল যুদ্ধাৰু আৰু ধনুৰ্দ্ধৰ
আছিল। তেওঁলোকৰ বহুতো পুত্ৰ আৰু নাতি ল’ৰা আছিল, সৰ্বমুঠ এশ
পঞ্চাশ জন। এই সকলো লোকেই বিন্যামীনৰ বংশৰ আছিল।

**৯** ইস্ৰায়েলৰ সকলো বংশাৱলী লিপিৱদ্ধ কৰা হৈছিল। তেওঁলোকে
ইস্ৰায়েলৰ ৰজাসকলৰ পুস্তকত এই বংশাৱলীবোৰ লিপিৱদ্ধ কৰি
ৰাখিছিল। যিহূদাৰ লোকসকলক নিজৰ পাপৰ কাৰণে বাবিললৈ বন্দী
কৰি নিয়া হৈছিল। ২ তেওঁলোকৰ নগৰত পুনৰ প্ৰথমবাৰ বাস কৰা
কিছুমান লোক হ’ল ইস্ৰায়েলীয়াসকল, পুৰোহিতসকল, লেবীয়াসকল,
আৰু মন্দিৰৰ দাস সকল। ৩ যিহূদা, বিন্যামীন, ইফ্ৰয়িম আৰু মনচিৰ
বংশৰ কিছুমান লোক যিৰূচালেমত বাস কৰিছিল। ৪ বাস কৰা
লোকসকলৰ লগত বানিৰ পুত্ৰ ইম্ৰীয়, ইম্ৰীয়ৰ পুত্ৰ অম্ৰীয়, অম্ৰীয়ৰ
পুত্ৰ অম্মীহূদ, অম্মীহূদৰ পুত্ৰ উথয়ৰ লগতে যিহূদাৰ পুত্ৰ পেৰচৰ
বংশৰ কিছুমান লোকক অন্তৰ্ভুক্ত কৰা হৈছিল। ৫ চীলোনীয়াসকলৰ
মাজৰ প্ৰথমে জন্ম হোৱা অচায়া আৰু তেওঁৰ পুত্ৰসকল। ৬ জেৰহৰ
বংশৰ লোকসকলৰ মাজৰ যুৱেল। তেওঁলোকৰ বংশৰ লোকসকলৰ
সংখ্যা ছশ নৱৈই জন আছিল। ৭ বিন্যামীনৰ বংশৰ লোকসকলৰ
মাজৰ হচ্ছনুৱাৰ পুত্ৰ হোদবিয়া, হোদবিয়াৰ পুত্ৰ মচুল্লম, মচুল্লমৰ

পুত্ৰ চল্লু। ৮ তাত যিৰোহমৰ পুত্ৰ যিবনিয়াও আছিল। যিবনিয়াৰ
পুত্ৰ ৰূৱেল, ৰূৱেলৰ পুত্ৰ চফটিয়া, চফটিয়াৰ পুত্ৰ মচুল্লম, মচুল্লমৰ
পুত্ৰ মিক্ৰী, মিক্ৰীৰ পুত্ৰ উজ্জী, আৰু উজ্জীৰ পুত্ৰ এলা আছিল। ৯
তেওঁলোকৰ সম্বন্ধীয় বংশাৱলীৰ তালিকা অনুসাৰে লোকৰ সংখ্যা
আছিল, নশ ছাপন্ন জন। এই সকলো লোক নিজৰ বংশৰ নেতৃত্বত
আছিল। ১০ পুৰোহিতসকলৰ মাজৰ যিদয়া, যিহোয়াৰীব, আৰু যাখীন;
১১ অহীটুবৰ পুত্ৰ মৰায়োত, মৰায়োতৰ পুত্ৰ চাদোক, চাদোকৰ
পুত্ৰ মচুল্লম, মচুল্লমৰ পুত্ৰ হিল্কিয়া, হিল্কিয়াৰ পুত্ৰ অজৰিয়া ঈশ্বৰৰ
গৃহৰ প্ৰধান অধ্যক্ষ আছিল। ১২ মল্কীয়াৰ পুত্ৰ পচহুৰ, পচহুৰৰ পুত্ৰ
যিৰিহোম, যিৰিহোমৰ পুত্ৰ অদায়া আছিল। ইম্মেৰৰ পুত্ৰ মচিল্লেমীত,
মচিল্লেমীতৰ পুত্ৰ মচুল্লম, মচুল্লমৰ পুত্ৰ যহজেৰা, যহজেৰাৰ পুত্ৰ
আদিয়েল, আদিয়েলৰ পুত্ৰ মাচয়ো আছিল। ১৩ তেওঁলোকৰ সম্পৰ্কীয়
গোষ্ঠীৰ নেতৃত্বত যি সকল আছিল, তেওঁলোকৰ সংখ্যা এক হাজাৰ
সাত শ ষাঠি জন। তেওঁলোক ঈশ্বৰৰ গৃহত কাম কৰাৰ বাবে অতি
সক্ষম লোক আছিল। ১৪ লেবীয়াসকলৰ মাজৰ মৰাৰীৰ বংশত জন্ম
হোৱা হচবিয়াৰ পুত্ৰ অজ্ৰীকাম, অজ্ৰীকামৰ পুত্ৰ হচ্ছুব, হচ্ছুবৰ পুত্ৰ
চময়া আছিল। ১৫ তাত বকবক্কৰ, হেৰচ, গালল, আচফৰ পুত্ৰ জিখ্ৰী,
জিখ্ৰীৰ নাতি মীখাৰ পুত্ৰ মত্তনিয়াও আছিল। ১৬ ইলকানাৰ পুত্ৰ
আচা, আচাৰ পুত্ৰ বেৰেখিয়া আৰু যিদূথূনৰ পুত্ৰ গালল, গাললৰ পুত্ৰ
চময়া, চময়াৰ পুত্ৰ ওবদিয়াও নটোফাতীয়াসকলৰ গাওঁসমূহত বাস
কৰিছিল। ১৭ দুৱৰীসকল চল্লুম, অক্কুব, টলমোন, অহীমন, আৰু
তেওঁলোকৰ বংশৰ লোকসকল। চল্লূম তেওঁলোকৰ নেতা আছিল। ১৮
তেওঁলোক আগৰ পৰা লেবী বংশৰ ছাউনিৰ পূবদিশে ৰাজদুৱাৰত থিয়
হৈ পহৰা দিছিল। ১৯ কোৰহৰ পুত্ৰ অবিয়াচফ, অবিয়াচফ পুত্ৰ কোৰি,
কোৰিৰ পুত্ৰ চল্লুম, আৰু তেওঁৰ পিতৃ বংশত কোৰহীয়া ভাইসকল
আছিল। মন্দিৰৰ কামত নিযুক্ত আৰু তম্বুৰ দুৱাৰৰ ৰখীয়া আছিল।
কেৱল তেওঁলোকৰ বংশৰ লোকহে যিহোৱা থকা ঠাইৰ প্ৰবেশস্থানৰ
ৰখীয়া হৈছিল। ২০ পূৰ্বে ইলিয়াজৰৰ পুত্ৰ পীনহচ তেওঁলোকৰ প্ৰধান
অধ্যক্ষ আছিল, আৰু যিহোৱা তেওঁৰ লগত আছিল। ২১ মেচেলিয়ামৰ

পুত্ৰ জখৰিয়া “সাক্ষাত কৰা তম্বুৰ” দুৱাৰ ৰখীয়া আছিল। ২২ যি সকল লোকক দুৱাৰ ৰাখিবলৈ দুৱৰীস্বৰূপে মনোনীত কৰা হৈছিল তেওঁলোকৰ সংখ্যা সৰ্ব্বমুঠ দুশ বাৰ জন। এওঁলোকৰ গাঁৱৰ নাম জনবসতি লিপিৱদ্ধ কৰোঁতে লিখা হৈছিল। দায়ুদ আৰু চমূৱেল দৰ্শকে তেওঁলোকৰ বিশ্বাসৰ ভিত্তিত তেওঁলোকক কামত নিযুক্ত কৰিছিল। ২৩ সেয়ে তেওঁলোকে আৰু তেওঁলোকৰ সন্তান সকলে যিহোৱাৰ আবাসৰ দুৱাৰত ৰখীয়াৰ কাম কৰিছিল। ২৪ দুৱৰীসকলক পূব, পশ্চিম, উত্তৰ, আৰু দক্ষিণ, এই চাৰিও দিশত নিযুক্ত কৰা হৈছিল। ২৫ তেওঁলোকৰ গাঁৱত থকা ভাইসকল সাত দিনৰ মূৰত পালক্ৰমে ঘূৰি আহিব লগা হৈছিল। ২৬ কিন্তু চাৰিজন প্ৰধান লেবীয়া দুৱৰী আছিল, তেওঁলোক নিযুক্ত হৈ ঈশ্বৰৰ গৃহৰ কোঁঠাবোৰৰ আৰু ভঁৰালবোৰৰ ৰখীয়া নিযুক্ত হৈছিল। ২৭ তেওঁলোকে ঈশ্বৰৰ গৃহৰ চাৰিওফালে ৰাতি অতিবাহিত কৰিছিল, কাৰণ গৃহ ৰখিবলৈ তেওঁলোকৰ ওপৰত দ্বায়ীত্ব আছিল। তেওঁলোকে প্ৰতি ৰাতিপুৱা দুৱাৰ মেলিব পাৰিছিল। ২৮ তেওঁলোকৰ কিছুমান লোক মন্দিৰৰ আহিলা পাতিৰ অধ্যক্ষ আছিল; যেতিয়া তেওঁলোকে সেইবোৰ বাহিৰলৈ আনিছিল বা ভিতৰলৈ নিছিল তেতিয়া গণনা কৰিছিল। ২৯ তেওঁলোকৰ কিছুমান লোকক আহিলাপাতি, পবিত্ৰ স্থানৰ সকলো পাত্ৰ, মিহি আটাগুড়ি, দ্ৰাক্ষাৰস, তেল, ধূপ, আৰু মচলা আদি সকলো বস্তু তত্বাৱধান কৰিবলৈও নিযুক্ত কৰা হৈছিল। ৩০ পুৰোহিতসকলৰ কিছুমান পুত্ৰই মচলা মিহলি কৰিছিল। ৩১ লেবীয়াসকলৰ মাজত কোৰহীয়া চল্লুমৰ প্ৰথম পুত্ৰ মত্তিথিয়া উৎসৰ্গৰ বাবে প্ৰস্তুত কৰা পিঠাৰ তত্বাৱধান কৰোঁতা হিচাবে নিযুক্ত আছিল। ৩২ তেওঁলোকৰ ভায়েকসকলৰ মাজত কহাতৰ বংশৰ কিছুমান লোক প্ৰত্যেক বিশ্ৰাম-বাৰত দৰ্শন-পিঠা যুগুত কৰিবলৈ নিযুক্ত আছিল। ৩৩ গায়কসকল আৰু লেবীয়াসকলৰ পৰিয়ালৰ মূল মানুহ দিনে-ৰাতিয়ে নিযুক্ত কৰি দিয়া দ্বায়ীত্ব বহন কৰিছিল, সেয়ে যেতিয়া তেওঁলোক নিজৰ কামৰ পৰা মুক্ত হয়, তেতিয়া তেওঁলোক পবিত্ৰ স্থানত থকা কোঁঠাবোৰত থাকিছিল। ৩৪ লেবীয়াসকলৰ মাজত পৰিয়ালৰ নেতাসকলৰ তালিকা বংশাৱলীত লিপিৱদ্ধ কৰা আছিল।

তেওঁলোক যিৰূচালেমত বাস কৰিছিল। ৩৫ গিবিয়োনৰ পিতৃ যিয়ীয়েল,
তেওঁৰ ভাৰ্য্যাৰ নাম মাখা। তেওঁলোক গিবিয়োনত বাস কৰিছিল।
৩৬ তেওঁৰ প্ৰথমে জন্ম হোৱা পুত্ৰ আব্দোন, তাৰ পাছত চূৰ, কীচ,
বাল, নেৰ, নাদব, ৩৭ গদোৰ, অহিয়ো, জখৰিয়া, আৰু মিক্লোৎ।
৩৮ মিক্লোতৰ পুত্ৰ চিমিয়াম। তেওঁলোকেও নিজৰ ভায়েকসকলৰ
ওচৰত যিৰূচালেমত বাস কৰিছিল। ৩৯ নেৰৰ পুত্ৰ কীচ, কীচৰ পুত্ৰ
চৌল, চৌলৰ পুত্ৰ যোনাথন, মল্কীচুৱা, অবীনাদব আৰু ইচবাল, ৪০
যোনাথনৰ পুত্ৰ মাৰীব-বাল, মৰীব-বালৰ পুত্ৰ মীখা, ৪১ মীখাৰ পুত্ৰ
পীথোন, মেলক, তহৰেয়া, আৰু আহজ, ৪২ আহজৰ পুত্ৰ যৰা, যৰাৰ
পুত্ৰ অলেমৎ, অজমাবৎ, আৰু যিম্ৰী, যিম্ৰীৰ পুত্ৰ মোচা, ৪৩ মোচাৰ
পুত্ৰ বিনিয়া, বিনিয়াৰ পুত্ৰ ৰফায়া, ৰফায়াৰ পুত্ৰ ইলিয়াচা, ইলিয়াচাৰ
পুত্ৰ আচেল, ৪৪ আচেলৰ ছয় জন পুত্ৰ আছিল, তেওঁলোকৰ নাম
অজ্ৰীকাম, বোখৰু, ইশ্মায়েল, চিয়ৰিয়া, ওবদিয়া, আৰু হানন।

**১০** পলেষ্টীয়াসকলে ইস্ৰায়েলৰ বিৰুদ্ধে যুদ্ধ কৰিলে। ইস্ৰায়েলৰ
সকলো লোক পলেষ্টীয়াসকলৰ সন্মুখৰ পৰা পলাল, আৰু অনেক
লোকৰ মৃত্যু হৈ গিলবোৱা পৰ্বতত পৰিল। ২ পলেষ্টীয়াসকলে চৌল
আৰু তেওঁৰ পুত্ৰসকলক পাছে পাছে খেদি গৈ, চৌলৰ পুত্ৰ যোনাথনক,
অবীনাদবক, আৰু মল্কীচুৱাক বধ কৰিলে। ৩ চৌলৰ বিৰুদ্ধে ঘোৰ যুদ্ধ
হ'ল, আৰু ধনুৰ্দ্ধৰসকলে তেওঁক আগচি ধৰিলে। ধনুৰ্দ্ধৰসকলৰ কাৰণে
তেওঁ ত্ৰাসযুক্ত হ'ল। ৪ তাৰ পাছত চৌলে তেওঁৰ অস্ত্ৰবাহকক ক'লে,
"তোৰ তৰোৱাল উলিয়াই তাৰে মোক খোঁচ। নহলে, এই অচুন্নৎহঁতে
আহি মোক অপব্যৱহাৰ কৰিব।" কিন্তু তেওঁৰ অস্ত্ৰবাহকে মান্তি নহ'ল,
কাৰণ তেওঁ অতিশয় ভয়ত আছিল। সেয়ে চৌলে নিজৰ তৰোৱাল লৈ
তাৰ ওপৰত পৰিল। ৫ যেতিয়া তেওঁৰ অস্ত্ৰবাহকে দেখিলে চৌলৰ
মৃত্যু হ'ল; তেতিয়া তেওঁৰ অস্ত্ৰবাহকেও তেওঁৰ দৰে নিজৰ তৰোৱালৰ
ওপৰত পৰি মৰিল। ৬ এইদৰে চৌল, তেওঁৰ তিনি জন পুত্ৰ, আৰু
তেওঁৰ পৰিয়ালৰ সকলো সদস্যসকলৰো একে-লগে মৃত্যু হ'ল।
৭ যেতিয়া ইস্ৰায়েলৰ লোক সকলে সমথল ঠাইলৈ আহি দেখিলে
যে, তেওঁলোক পলাইছে আৰু চৌল আৰু তেওঁৰ পুত্ৰসকলৰ মৃত্যু

হ'ল; তেতিয়া তেওঁলোকে নিজৰ নগৰবোৰ এৰি পলাল। তাৰ পাছত
পলেষ্টীয়াসকলে আহি সেইবোৰ ঠাইত বাস কৰিলে। ৮ পিছদিনা
পলেষ্টীয়াসকলে বধ কৰা লোকসকলৰ সাজ সোলোকাই লবলৈ আহি,
গিলবোৱা পৰ্বতত চৌল আৰু তেওঁৰ পুত্ৰসকলৰ মৃত-দেহ পৰি থকা
পালে। ৯ তেতিয়া তেওঁলোকে চৌলৰ সাজ সোলোকালে আৰু তেওঁৰ
মূৰ লৈ, নিজৰ দেৱতাবোৰক আৰু লোকসকলক বাতৰি জনাবৰ বাবে,
পলেষ্টীয়াসকলৰ দেশত সকলো ফালে বাৰ্ত্তাবাহক পঠাই দিলে। ১০
তেওঁলোকে চৌলৰ যুদ্ধৰ সাজ তেওঁলোকৰ দেৱতাবোৰৰ মন্দিৰত
ৰাখিলে, আৰু তেওঁৰ মূৰ দাগোনৰ মন্দিৰৰ ভিতৰত আৰি থলে। ১১
যেতিয়া যাবেচ গিলিয়দৰ সকলো লোকে পলেষ্টীয়াসকলে চৌললৈ
কৰা সেই কৰ্মৰ বাতৰি পালে, ১২ তেতিয়া তেওঁলোকৰ সকলো যুদ্ধাৰু
লোকে গৈ চৌল আৰু তেওঁৰ পুত্ৰসকলৰ মৃত-দেহবোৰ যাবেচলৈ লৈ
আহিল, আৰু তেওঁলোকৰ অস্থি যাবেচত থকা ওক গছৰ তলত পুতি
হ'ল, আৰু সাত দিন লঘোন দিলে। ১৩ চৌল যিহোৱাৰ অবিশ্বাসী
হোৱাৰ বাবে এইদৰে মৃত্যু হ'ল। তেওঁ যিহোৱাৰ আজ্ঞা বোৰ পালন
নকৰিলে, কিন্তু পৰামৰ্শ লবলৈ মৃতলোকৰ লগত কথা পতা লোকৰ
ওচৰলৈ গৈছিল। ১৪ তেওঁ যিহোৱাৰ পৰা মাৰ্গ প্ৰদৰ্শনৰ বাবে প্ৰাৰ্থনা
কৰা নাছিল। সেয়ে যিহোৱাই তেওঁক মাৰিলে আৰু ৰাজ্যকো কাঢ়ি লৈ
যিচয়ৰ পুত্ৰ দায়ূদক দিলে।

**১১** তাৰ পাছত গোটেই ইস্রায়েলৰ লোকসকলে হিব্ৰোণত দায়ূদৰ
ওচৰলৈ আহি ক'লে, "চাওক, আমি আপোনাৰ মাংস আৰু আপোনাৰ
হাড়। ২ আগেয়ে যেতিয়া চৌল আমাৰ ওপৰত ৰজা আছিল, তেতিয়া
আপুনিয়েই ইস্রায়েলৰ সৈন্যসকলক নেতৃত্ব দিছিল। আপোনাৰ ঈশ্বৰ
যিহোৱাই আপোনাক কৈছিল, 'তুমি মোৰ ইস্রায়েলৰ লোকসকলৰ
ৰখীয়া হবা, আৰু তুমি মোৰ ইস্রায়েলৰ লোকসকলৰ ওপৰত শাসনকৰ্ত্তা
হ'বা।'" ৩ সেয়ে ইস্রায়েলৰ সকলো বৃদ্ধ লোক হিব্ৰোণৰ ৰজাৰ ওচৰলৈ
আহিল, আৰু দায়ূদে হিব্ৰোণত যিহোৱাৰ সাক্ষাতে তেওঁলোকৰ লগত
এটি নিয়ম কৰিলে, যিহোৱাই চমূৱেলৰ দ্বাৰাই কোৱা বাক্য অনুসাৰে
তেওঁলোকে ইস্রায়েলৰ ওপৰত দায়ূদক ৰজা অভিষেক কৰিলে।

৪ দায়ুদ আৰু সকলো ইস্ৰায়েলীয়া লোকসকলে যিৰূচালেমলৈ গ'ল
সেই ঠাইয়ে যিবুচ। সেই সময়ত যিবুচ নিবাসী যিবুচীয়া লোকসকল
সেই ঠাইত আছিল। ৫ তাতে যিবুচ নিবাসী লোকসকলে দায়ূদক
ক'লে, "আপুনি এই ঠাইত সোমাব নোৱাৰে।" কিন্তু দায়ূদে চিয়োন
দুৰ্গ অধিকাৰ কৰি ল'লে, সেয়ে দায়ূদৰ নগৰ। ৬ দায়ূদে ক'লে,
"যি কোনোৱে প্ৰথমে যিবুচীয়াসকলক আক্ৰমণ কৰিব, তেওঁ প্ৰধান
সেনাপতি হ'ব।" চৰূয়াৰ পুত্ৰ যোৱাবে প্ৰথমে আক্ৰমণ কৰিলে, সেই
বাবে তেওঁকে প্ৰধান সেনাপতি পাতিলে। ৭ তাৰ পাছত দায়ুদ সেই
দুৰ্গত বাস কৰিলে। সেই বাবে তেওঁলোকে এই নগৰক 'দায়ূদৰ
নগৰ' বুলি ক'লে। ৮ তেওঁ মিল্লোৰ পৰা নগৰৰ চাৰিওফালে দেৱাল
বান্ধিলে। যোৱাবে নগৰৰ অৱশিষ্ট ঠাইবোৰ মেৰামত কৰিলে। ৯
দায়ুদ মহানৰ পৰা মহান হ'ল, কাৰণ যিহোৱা, বাহিনীসকলৰ ঈশ্বৰ
তেওঁৰ লগত আছিল। ১০ ইস্ৰায়েলৰ বিষয়ে যিহোৱাৰ বাক্য পালন
কৰি, দায়ূদক ৰজা পাতিবলৈ, এওঁলোকেই দায়ূদৰ প্ৰধান লোক যি
সকলে সকলো ইস্ৰায়েলৰ লগত একেগোট হৈ তেওঁৰ ৰাজ্যত নিজকে
শক্তিশালী দেখুৱালে। ১১ এই খন এখন দায়ুদৰ শ্ৰেষ্ঠ সৈন্যসকলৰ
তালিকা: হকমোনীয়াৰ পুত্ৰ যাচবিয়াম, তেওঁ ত্ৰিশ জনৰ ওপৰত প্ৰধান
সেনাপতি আছিল, তেওঁ তিনি শ লোকৰ বিৰুদ্ধে যাঠীৰে তেওঁলোকক
একে সময়তে বধ কৰিলে। ১২ তেওঁৰ পাছত অহোহীয়া দোদয়ৰ
পুত্ৰ ইলিয়াজ, তেওঁ আছিল তিনিজন পৰাক্ৰমী পুৰুষৰ মাজৰ এজন।
১৩ তেওঁ পচদম্মীমত দায়ুদৰ লগত আছিল। যি ঠাই ডোখৰত যৱ
ধান গুড়ি কৰিছিল, সেই পথাৰ খনত যুদ্ধৰ বাবে পলেষ্টীয়াসকলে
গোট খালে; আৰু তাত পলেষ্টীয়াসকলৰ সন্মূখৰ পৰা সৈন্যসকল
পলাইছিল। ১৪ তেওঁলোকে পাছত সেই পথাৰৰ মাজত থিয় হৈ
তাক ৰক্ষা কৰিলে, আৰু পলেষ্টীয়াসকলক তৰোৱালেৰে আঘাত
কৰিলে। যিহোৱাই মহাজয়েৰে তেওঁলোকক উদ্ধাৰ কৰিলে। ১৫ ত্ৰিশ
জন প্ৰধান লোকৰ মাজৰ তিনিজন লোক শিলটোলৈ অৰ্থাৎ দায়ুদ
থকা অদুল্লম গুহাৰ ওচৰলৈ নামি গ'ল। তেতিয়া পলেষ্টীয়াসকলৰ
সৈন্যসকলে ৰফায়ীমৰ উপত্যকাত ছাউনি পাতি আছিল। ১৬ সেই

সময়ত দায়ুদ তেওঁৰ দুৰ্গৰ এটা গুহাত আছিল, তেতিয়া বৈৎলেহেমত
পলেষ্টীয়াসকলৰ সৈন্যদল প্ৰতিষ্ঠিত আছিল। ১৭ দায়ূদে পানীৰ বাবে
হেঁপাহ কৰি ক'লে, "যদি কোনো এজন লোক বৈৎলেহেমৰ দুৱাৰৰ
ওচৰত থকা নাদৰ পৰা মোক খাবলৈ পানী আনি দিলেহেঁতেন!" ১৮
তেতিয়া সেই তিনি জন পৰাক্ৰমী পুৰুষে পলেষ্টীয়াসকলৰ সৈন্যদল
ভেদ কৰি বৈৎলেহেমৰ দুৱাৰৰ ওচৰত থকা নাদৰ কাষলৈ গ'ল, আৰু
তাৰ পৰা পানী তুলি লৈ দায়ূদৰ ওচৰলৈ আহিল। কিন্তু দায়ূদে তাক
পান কৰিবলৈ ইচ্ছা নকৰি যিহোৱাৰ উদ্দেশ্যে ঢালি দিলে। ১৯ তেতিয়া
তেওঁ ক'লে, "নিশ্চয়ে এয়া মই পান কৰিম নে, এনে কৰ্ম যিহোৱাই
মোৰ পৰা নিষেধ কৰক; কিয়নো নিজৰ যে মই নিশ্চয়ে এইটো পান
কৰিব লাগে। নিজৰ প্ৰাণৰ ক্ষতি স্বীকাৰ কৰা এই মানুহ কেইজনৰ
তেজ মই পান কৰিম নে?" কাৰণ তেওঁলোকে প্ৰাণৰ ক্ষতি স্বীকাৰ
কৰি এই পানী তুলি আনি দিছিল। সেয়ে তেওঁ তাক পান কৰিবলৈ
অস্বীকাৰ কৰিলে। এই কৰ্ম সেই তিনি জন পৰাক্ৰমী পুৰুষে কৰিছিল।
২০ এই তিনি জনৰ মাজত যোৱাবৰ ভায়েক অবীচয় প্ৰধান আছিল;
তেওঁ তিনি শ লোকৰ বিৰুদ্ধে গৈ নিজৰ যাঠীৰে সিহঁতক বধ কৰিছিল,
সেয়ে তিনি জন সৈনিকৰ মাজত তেওঁৰ নাম বাৰে বাৰে উল্লেখিত
হৈছিল। ২১ সেই তিনি জনৰ মাজত তেওঁ অধিক মৰ্য্যদাৱন্ত আছিল
আৰু তেওঁলোকৰ প্ৰধান সেনাপতি হৈছিল। তথাপি তেওঁ সেই তিনি
জন বিখ্যাত সৈনিকৰ সমান বিখ্যাত হোৱা নাছিল। ২২ যিহোয়াদাৰ
পুত্ৰ বনায়া এজন বীৰপুৰুষ আছিল, তেওঁ মহৎ কাৰ্য কৰিছিল। তেওঁ
মোৱাবীয়া অৰীয়েলৰ দুজন পুত্ৰক বধ কৰিছিল। তেওঁ হিম পৰাৰ
সময়ত গাতৰ ভিতৰলৈ গৈ এটা সিংহকো বধ কৰিছিল। ২৩ ইয়াৰ
বাহিৰে তেওঁ পাঁচ হাত ওখ এজন মিচৰীয়াকো বধ কৰিছিল। সেই
মিচৰীয়াৰ হাতত তাঁতৰ টোলোঠাৰ সমান এপাত যাঠী আছিল, কিন্তু
তেওঁ এডাল লাখুটি লৈ সেই মিচৰীয়াজনৰ ওচৰলৈ নামি গৈছিল
আৰু তাৰ হাতৰ পৰা যাঠী পাত কাঢ়ি লৈ, তাৰ যাঠীৰে তাক বধ
কৰিছিল। ২৪ যিহোয়াদাৰ পুত্ৰ বনায়াই এইবোৰ কাৰ্য কৰিছিল, আৰু
তেওঁ সেই তিনি জন পৰাক্ৰমী পুৰুষৰ মাজত নাম পাইছিল। ২৫

তেওঁ ত্ৰিশ জন সাধাৰণ সৈনিকৰ মাজত অধিক মৰ্য্যদা পাইছিল,
তথাপি তেওঁ সেই তিনি জন সৈনিকৰ সমান মৰ্যদ্যা পোৱা নাছিল।
তথাপিও দায়ূদে তেওঁক নিজৰ অঙ্গৰক্ষকসকলৰ ওপৰত অধ্যক্ষ
পাতিছিল। ২৬ পৰাক্ৰমী বীৰপুৰুষসকলৰ নাম: যোৱাবৰ ভায়েক
অচাহেল, বৈৎলেহেমৰ দোদৰ পুত্ৰ ইলহানন, ২৭ হৰোৰীয়া চম্মোৎ,
পলোনীয়া হেলচ, ২৮ তকোৱায়ীয়া ইক্কেচৰ পুত্ৰ ঈৰা, অনাথোতীয়া
অবীয়েজৰ, ২৯ হূচাতীয়া চিব্বকয়, অহোহীয়া ঈলয়, ৩০ নটোফাতীয়া
মহৰয়, নটোফাতীয়া বানাৰ পুত্ৰ হেলদ, ৩১ বিন্যামীনৰ বংশৰ গিবিয়াৰ
ৰীবয়ৰ পুত্ৰ ইথয়, পিৰাথোনীয়া বনায়া, ৩২ গাচ উপত্যকাৰ হূৰয়,
অৰ্বাতীয়া অবীয়েল, ৩৩ বহৰূমীয়া অজমাবৎ, চালবোনীয়া ইলিয়হবা,
৩৪ গিজোনীয়া হাচেমৰ পুত্ৰসকল, হৰাৰীয়া চাগিৰ পুত্ৰ যোনাথন, ৩৫
হৰাৰীয়া চাখৰৰ পুত্ৰ অহীয়াম, ঊৰৰ পুত্ৰ ইলীফাল, ৩৬ মখেৰাতীয়া
হেফৰ, পলোনীয়া অহিয়া, ৩৭ কৰ্মিলীয়া হিস্ৰো, ইজবয়ৰ পুত্ৰ নাৰয়,
৩৮ নাথনৰ ভায়েক যোৱেল, হগ্ৰীৰ পুত্ৰ মিভৰ, ৩৯ অম্মোনীয়া চেলক,
চৰূয়াৰ পুত্ৰ যোৱাবৰ অস্ত্ৰবাহক বেৰোতীয়া নহৰয়, ৪০ যিত্ৰীয়া ঈৰা,
যিত্ৰীয়া গাৰেব, ৪১ হিত্তীয়া উৰিয়া, অহলয়ৰ পুত্ৰ জাবদ, ৪২ ৰূবেণীয়া
চীজাৰ পুত্ৰ ৰূবেণীয়াসকলৰ সেনাপতি অদীনা, আৰু তেওঁৰ লগত
ত্ৰিশ জন লোক, ৪৩ মাখাৰ পুত্ৰ হানন আৰু মিত্নীয়া যোচাফট, ৪৪
অষ্টাৰোতীয়া উজ্জিয়া, অৰোয়েৰীয়া হোথমৰ দুজন পুত্ৰ চামা আৰু
যিয়ীয়েল, ৪৫ চিম্ৰীৰ পুত্ৰ যিদীয়েল, আৰু তেওঁৰ ভায়েক তীচীয়া যোহা,
৪৬ মহবীয়া ইলীয়েল, ইলনামৰ দুজন পুত্ৰ যিৰীবয় আৰু যোচবিয়া, আৰু
মোৱাবীয়া যিথমা; ৪৭ ইলীয়েল, ওবেদ, আৰু মচোবায়ীয়া যাচীয়েল।

**১২** যি সময়ত তেওঁ কীচৰ পুত্ৰ চৌলৰ সন্মুখৰ পৰা পলাই আছিল,
সেই সময়ত চিক্লগলৈ দায়ুদৰ ওচৰলৈ অহা লোকসকল এওঁলোক।
তেওঁলোক যুদ্ধত তেওঁক সহায় কৰা সৈনিকৰ মাজৰ আছিল। ২
তেওঁলোক ধনুৰ্দ্ধৰ, সোঁ আৰু বাওঁ হাতেৰে ফিঙ্গাৰ শিল মাৰিবলৈ,
আৰু ধনুৰে কাঁড় মাৰিবলৈ নিপুণ আছিল। তেওঁলোক বিন্যামীনীয়া
চৌলৰ জাতিৰ লোক আছিল। ৩ প্ৰধান অহীয়েজৰ আছিল, তেওঁৰ
পাছত যোৱাচ তেওঁলোক দুয়োজনে গিবিয়াতীয়াৰ চমায়াৰ পুত্ৰ।

অজমাবতৰ দুজন পুত্ৰ যিজীয়েল আৰু পেলট, এওঁলোকৰ মাজত
বৰাখা ও অনাথোতীয়া যেহূও আছিল, ৪ ত্ৰিশ জনৰ মাজত এজন
সৈনিক আৰু ত্ৰিশ জনৰ ওপৰত নিযুক্ত সেনাপতি গিবিয়োনীয়া যিচময়া
আছিল, যিৰিমিয়া, জহজীয়েল, যোহানন, আৰু গদেৰোথীয়া যোজাব,
৫ ইলিয়ুজ, যিৰিমোৎ, বিয়লিয়া, চমৰিয়া, আৰু হৰুফীয়া চফটিয়া, ৬
ইলকানা, যিচিয়া, অজৰেল, যোৱেজৰ, আৰু যাচবিয়াম, এওঁলোক
কোৰহীয়া লোক, আৰু ৭ গদোৰৰ যিৰোহমৰ পুত্ৰ যোৱেল আৰু
জবদিয়া। ৮ গাদীয়াসকলৰ মাজৰ কিছুমান লোকে মৰুপ্ৰান্তৰ দুৰ্গত
দায়ূদৰ লগত যোগ দিছিল। তেওঁলোক যুদ্ধাৰু, যুদ্ধৰ বাবে প্ৰশিক্ষণ
প্ৰাপ্ত, তেওঁলোক ঢাল আৰু যাঠী ধৰাত সক্ষম আছিল; তেওঁলোকৰ মুখ
সিংহৰ মুখৰ দৰে আছিল। তেওঁলোক পৰ্বতত থকা হৰিণাৰ নিচিনা
বেগী আছিল। ৯ তেওঁলোকৰ মাজত এজৰ নেতা আছিল, দ্বিতীয়
ওবদিয়া, তৃতীয় ইলীয়াব, ১০ চতুৰ্থ মিচমন্না, পঞ্চম যিৰিমিয়া, ১১
ষষ্ঠ অত্তয়, সপ্তম ইলীয়েল, ১২ অষ্টম যোহানন, নৱম ইলজাবদ,
১৩ দশম যিৰিমিয়া, আৰু একাদশ মগবন্নয়। ১৪ গাদৰ পুত্ৰসকল
সৈনিকসকলৰ সেনাপতি আছিল। যি জন সৰু, তেওঁ এশ জনক, আৰু
যি জন ডাঙৰ, তেওঁ এক হাজাৰ জনক নেতৃত্ব দিছিল। ১৫ তেওঁলোক
প্ৰথম মাহত যৰ্দ্দন পাৰ হৈছিল, যেতিয়া ইয়াৰ পানী দুয়োপাৰে বাগৰি
পাৰ হয়, এনে সময়ত তেওঁলোক পাৰ হৈ, পূব আৰু পশ্চিম দুয়ো
দিশৰ উপত্যকাত বাস কৰা সকলক খেদিছিল। ১৬ বিন্যামীনৰ
আৰু যিহূদাৰ মাজৰ কিছুমান লোক দায়ূদৰ দুৰ্গলৈ আহিল। ১৭
দায়ূদে তেওঁলোকক সাক্ষাৎ কৰিবৰ বাবে বাহিৰ ওলাই তেওঁলোকক
সম্বোধন কৰি ক'লে, “যদি তোমালোকে মোক শান্তনা দিবৰ বাবে
মোৰ ওচৰলৈ আহিছা, তেনেহ'লে তোমালোকে মোৰ সৈতে যোগ দিব
পাৰা। কিন্তু, যদি বিশ্বাস-ঘাত কৰি মোৰ শত্ৰুবোৰক মোক শোধাই
দিবলৈ আহিছা, তেনেহ'লে আমাৰ ওপৰ-পিতৃসকলৰ ঈশ্বৰে চাওক
আৰু তোমালোকক দণ্ড দিয়ক, কাৰণ এতিয়ালৈকে মই একো ভুল
কৰা নাই।” ১৮ তাৰ পাছত ত্ৰিশ জনৰ ওপৰত সেনাপতি হৈ থকা
অমাচয়ৰ ওপৰত আত্মাই স্থিতি ল'লে। অমাচয়ে ক'লে, “হে দায়ুদ,

আমি তোমাৰেই। যিচয়ৰ পুত্ৰ, আমি তোমাৰ ফলীয়া। শান্তি হওক,
তোমাক যি সকলে সহায় কৰে তেওঁৰো শান্তি হওক। তোমাক সহায়
কৰা সকলৰো শান্তি হওক, কিয়নো তোমাৰ ঈশ্বৰে তোমাক সহায়
কৰিছে।" তেতিয়া দায়ূদে তেওঁলোকক গ্ৰহণ কৰি নিজৰ সৈন্যদলৰ
সেনাপতি পাতিলে। ১৯ চৌলৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ পলেষ্টীয়াসকলৰ
লগত দায়ুদ যোৱাৰ সময়ত, মনচিৰ পৰা কিছুমান লোক আতৰিগৈ
দায়ূদৰ ফলীয়া হ'ল। কিন্তু তেওঁলোকে ফিলিষ্টীয়াসকলক সহায় কৰা
নাছিল, কাৰণ ফিলিষ্টীয়াসকলৰ অধিপতিসকলে ইজনে সিজনৰ সৈতে
পৰামৰ্শ কৰি তেওঁক পঠিয়াই দিলে। তেওঁলোকে ক'লে, "তেওঁ আমাৰ
জীৱন বিপদত পেলাই নিজৰ প্ৰভু চৌলৰ ফালে পলায়ন কৰিব।" ২০
দায়ুদ যেতিয়া চিক্লগলৈ গ'ল, তেতিয়া মনচিৰ যিসকল লোকে তেওঁৰ
সৈতে যোগ দিছিল, তেওঁলোক হ'ল অদলহ, যোজাবদ, যিদীয়েল,
মীখায়েল, যোজাবদ, ইলীহূ, আৰু চিল্লাথয়, মনচি সহস্ৰপতি আছিল।
২১ তেওঁলোকে দায়ূদক ডকাইত-দলৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ সহায়
কৰিলে, কাৰণ তেওঁলোক যুদ্ধাৰু আছিল। তাৰ পাছত তেওঁলোক
সৈনিকৰ সেনাপতি হৈছিল। ২২ দিনে দিনে, দায়ূদক সহায় কৰিবৰ
বাবে লোকসকল আহি আছিল, যেতিয়ালৈকে তাত ঈশ্বৰৰ সৈন্যদলৰ
দৰে এটা মহাসৈন্যদল গঠন নহ'ল। ২৩ যুদ্ধলৈ সু-সজ্জিত সৈন্য
দলৰ এইখন লিপিৱদ্ধ নথি পত্ৰ, যি সকল হিব্ৰোণলৈ দায়ূদৰ ওচৰলৈ
আহিছিল, যাতে যিহোৱাৰ বাক্য অনুসাৰে চৌলৰ পৰা ৰাজ্য লৈ
তেওঁক দিব পাৰে। ২৪ যিহূদাৰ যি সকল লোক ঢাল আৰু যাঠী ধৰি
যুদ্ধলৈ সাজো হৈছিল তেওঁলোক ছয় হাজাৰ আঠ শ আছিল। ২৫
চিমিয়োন সকলৰ পৰা সাত হাজাৰ এশ যুদ্ধাৰু আছিল। ২৬ লেবী
সকলৰ পৰা চাৰি হাজাৰ ছশ যুদ্ধাৰু আছিল। ২৭ যিহোয়াদা হাৰোণৰ
বংশৰ প্ৰধান লোক আছিল, আৰু তেওঁৰ সৈতে তিনি হাজাৰ সাত শ
লোক আছিল। ২৮ চাদোকৰ সৈতে, এজন ডেকা বীৰ আৰু সাহসী
ব্যক্তি আছিল, তেওঁৰ পিতৃৰ পৰিয়ালৰ পৰা বাইশ জন প্ৰধান লোক
আছিল। ২৯ বিন্যামীনৰ পৰা চৌলৰ জাতিৰ তিনি হাজাৰ লোক
আছিল। এই সময়লৈকে তেওঁলোকৰ বেছি ভাগ লোক চৌলৰ বিশ্বাসী

হৈ আছিল। ৩০ ইফ্ৰয়িম সকলৰ মাজত বিশ হাজাৰ আঠ শ যুদ্ধাৰু
আছিল, তেওঁলোক নিজৰ পিতৃ পৰিয়ালত নামজ্বলা লোক আছিল।
৩১ মনচিৰ আধা জাতিৰ পৰা ওঠৰ হাজাৰ নামজ্বলা লোক আছিল,
এওঁলোকে দায়ূদক ৰজা পাতিবলৈ আহিছিল। ৩২ ইচাখৰৰ পৰা দুশ
প্ৰধান লোক আছিল। এওঁলোকে সেই সময়ৰ সকলো কথা জানিছিল
আৰু ইস্ৰায়েলে কি কৰা উচিত, সেই বিষয়েও তেওঁলোকে জানিছিল।
তেওঁলোকৰ সম্পৰ্কীয় লোকসকলে আজ্ঞাৰ অধীনত আছিল। ৩৩
জবূলূনৰ মাজত পঞ্চাশ হাজাৰ যুদ্ধাৰু লোক যুদ্ধৰ বাবে প্ৰস্তুত হৈ
সকলো প্ৰকাৰ যুদ্ধৰ অস্ত্ৰ লগত লৈ আৰু দুই মন নোহোৱাকৈ বিশ্বাসী হৈ
যুদ্ধ কৰিবলৈ প্ৰস্তুত আছিল। ৩৪ নপ্তালীৰ মাজত এক হাজাৰ কৰ্মচাৰী,
আৰু তেওঁলোকৰ লগত ঢাল আৰু যাঠী ধৰা সাতত্ৰিশ হাজাৰ লোক
আছিল। ৩৫ দানীয়াসকলৰ মাজত আঠাইশ হাজাৰ ছশ লোক যুদ্ধৰ
বাবে প্ৰস্তুত আছিল। ৩৬ আচেৰৰ মাজত যুদ্ধৰ বাবে চল্লিশ হাজাৰ
লোক প্ৰস্তুত আছিল। ৩৭ যৰ্দ্দনৰ সিপাৰত থকা ৰূবেণীয়াসকলৰ,
গাদীয়াসকলৰ, আৰু মনচিৰ আধা জাতিৰ মাজত যুদ্ধৰ বাবে সকলো
প্ৰকাৰ অস্ত্ৰ ধৰা এক লাখ বিশ হাজাৰ লোক আছিল। ৩৮ সকলো
সৈনিকসকল যুদ্ধৰ বাবে যুগুত হৈ দায়ূদক সকলো ইস্ৰায়েল লোক
সকলৰ ওপৰত ৰজা পাতিবলৈ সম্পূৰ্ণ মনেৰে হিব্ৰোণলৈ আহিছিল।
সকলো অৱশিষ্ট ইস্ৰায়েল লোকসকলে দায়ূদক ৰজা পাতিবলৈ সদ-
ভাৱেৰে এক হৈছিল। ৩৯ তেওঁলোকে সেই ঠাইতে তিনি দিন দায়ূদৰ
লগত ভোজন-পান কৰি থাকিল, কাৰণ তেওঁলোকৰ সম্বন্ধীয়সকলে
তেওঁলোকৰ বাবে প্ৰয়োজনীয় বস্তু যুগুত কৰি থৈছিল। ৪০ ওপৰেঞ্চি,
যি সকল তেওঁলোকৰ ওচৰত আছিল, ইচাখৰ, জবূলূন, আৰু নপ্তালীৰ
লোকসকলে গাধবোৰৰ পিঠিত পিঠা, উটবোৰ, খছৰবোৰ, আৰু ষাঁড়-
গৰুবোৰ, ডিমৰুৰ শেকা পিঠা, কিচমিচৰ থোপা, দ্ৰাক্ষাৰস, আৰু তেল,
ষাঁড় গৰুবোৰ আৰু মেৰ-ছাগ আনিছিল, কাৰণ ইস্ৰায়েলৰ লোকসকলে
উৎসৱ পালন কৰি আছিল।

**১৩** দায়ূদে সহস্ৰপতি, শতপতি আৰু সকলো প্ৰধান লোকসকলৰ
সৈতে পৰামৰ্শ কৰিলে। ২ দায়ূদে ইস্ৰায়েলৰ সমবেত লোকসকলক

ক'লে, "যদি তোমালোকৰ দৃষ্টিত ভাল হয়, আৰু আমাৰ ঈশ্বৰ যিহোৱাৰ
ইচ্ছা হয়, তেন্তে আহাঁ আমি ইস্ৰায়েল দেশত সকলো ফালে অৱশিষ্ট
থকা আমাৰ ভাইসকলক, পুৰোহিতসকলক আৰু তেওঁলোকৰ নগৰত
বাস কৰা লেবীয়াসকলক আমাৰ লগত একগোট হ'বলৈ বাৰ্তাবাহকৰ
যোগেদি বাৰ্তা পঠাওহঁক। ৩ আহাঁ আমাৰ ঈশ্বৰৰ নিয়ম-চন্দুক আমি
নিজৰ ওচৰলৈ উভটাই আনোহঁক, কাৰণ চৌলৰ ৰাজত্বৰ সময়ত
আমি তাৰ বিষয়ে কোনো বিচাৰ কৰা নাছিলোঁ।" ৪ তেতিয়া সমাজৰ
সকলো লোকে সেই কাৰ্য কৰিবলৈ মান্তি হ'ল, কাৰণ সেই কথা
তেওঁলোকৰ দৃষ্টিত ভাল দেখিলে। ৫ সেয়ে কিৰিয়ৎ-যিয়াৰীমৰ পৰা
ঈশ্বৰৰ নিয়ম-চন্দুক আনিবলৈ, দায়ূদে মিচৰ দেশৰ চীহোৰ নদীৰ
পৰা লেবো সীমালৈকে ইস্ৰায়েলী লোকসকলক একগোট কৰিলে। ৬
ঈশ্বৰৰ নামেৰে প্ৰখ্যাত হোৱা, কৰূব দুটাৰ মাজত বহা ঈশ্বৰৰ নিয়ম-
চন্দুক যিহূদাৰ অধীনত থকা বালা অৰ্থাৎ কিৰিয়ৎ-যিয়াৰীমৰ পৰা
আনিবলৈ দায়ুদ আৰু ইস্ৰায়েলৰ সকলো লোক সেই ঠাইলৈ গ'ল। ৭
সেয়ে তেওঁলোকে অবীনাদবৰ ঘৰৰ পৰা ঈশ্বৰৰ নিয়ম-চন্দুক উলিয়াই
আনিলে আৰু এখন নতুন ৰথত তুলিলে। উজ্জা আৰু অহিয়ো সেই
ৰথৰ পথ প্ৰদৰ্শক হ'ল। ৮ দায়ুদ আৰু ইস্ৰায়েলৰ লোকসকলে বীণা,
বেহেলা, খঞ্জৰী, তাল, আৰু তূৰী বাদ্যেৰে গীত-গান কৰি ঈশ্বৰৰ
উদ্দেশে উৎসৱ উদযাপন কৰিলে। ৯ যেতিয়া তেওঁলোকে কীদোনৰ
ধান মৰণা মৰা ঠাই পালে, তেতিয়া ষাঁড়-গৰুহালে উজুটি খোৱাত
উজ্জাই নিয়ম-চন্দুকটো হাত মেলি থাপমাৰি ধৰিলে। ১০ উজ্জালৈ
যিহোৱাৰ ক্ৰোধ প্ৰজ্বলিত হ'ল, আৰু তেওঁক বধ কৰিলে, কাৰণ তেওঁ
নিয়ম-চন্দুক ধৰিবলৈ হাত মেলিছিল। সেই ঠাইতেই ঈশ্বৰৰ সন্মুখত
তেওঁৰ মৃত্যু হ'ল। ১১ যিহোৱাই উজ্জাক আঘাত কৰাৰ বাবে দায়ূদৰ
খং উঠিল। আজিলৈকে সেই ঠাইৰ নাম পেৰচ-উজ্জা হৈ আছে। ১২
দায়ূদে ঈশ্বৰলৈ সেই দিনা ভয় কৰিলে। তেওঁ ক'লে, "ঈশ্বৰৰ নিয়ম-
চন্দুক মোৰ ঘৰলৈ মই কেনেকৈ আনিম?" ১৩ সেয়ে দায়ূদে নিয়ম-
চন্দুক দায়ূদৰ নগৰলৈ নানিলে কিন্তু একাষৰিয়াকৈ লৈ গ'ল আৰু
গাতীয়াৰ ওবেদ-ইদোমৰ ঘৰত থলে। ১৪ ঈশ্বৰৰ সেই নিয়ম-চন্দুক

ওবেদ-ইদোমৰ পৰিয়ালবৰ্গৰ সৈতে তেওঁৰ ঘৰত তিনি মাহ থাকিল।
সেয়ে যিহোৱাই তেওঁৰ ঘৰ আৰু তেওঁৰ অধিকাৰত থকা সকলোকে
আশীৰ্ব্বাদ কৰিলে।

**১৪** তাৰ পাছত তূৰৰ ৰজা হীৰমে দায়ূদৰ ওচৰলৈ বাৰ্তাবহক পঠালে,
আৰু তেওঁৰ বাবে এটা গৃহ নিৰ্ম্মাণ কৰিবলৈ এৰচ কাঠ, কাঠমিস্ত্ৰী, আৰু
ৰাজমিস্ত্ৰীসকলক পঠালে। ২ দায়ূদে বুজিলে যে, যিহোৱাই ইস্ৰায়েলৰ
ওপৰত তেওঁক ৰজা অভিষিক্ত কৰিলে, আৰু তেওঁৰ ৰাজ্য ইস্ৰায়েলৰ
লোকসকলৰ বাবে উন্নতিৰ শিখৰলৈ গ'ল। ৩ দায়ূদে যিৰূচালেমত
বহুতো ভাৰ্যা গ্ৰহণ কৰিলে, তেওঁলোকৰ পৰা তেওঁ অনেক পুত্ৰ ও
কণ্যাৰ পিতৃ হ'ল। ৪ যিৰূচালেমত তেওঁৰ জন্ম হোৱা পুত্ৰসকলৰ
নামবোৰ হ'ল: চম্মুৱা, চোবব, নাথন, চলোমন, ৫ যিভৰ, ইলীচূৱা
ইল্পেলট, ৬ নোগহ, নেফগ, যাফীয়া, ৭ ইলীচামা, বিলিয়াদা, আৰু
ইলীফেলট। ৮ দায়ূদক সমস্ত ইস্ৰায়েলৰ ওপৰত ৰজা স্বৰূপে অভিষেক
কৰাৰ কথা যেতিয়া পলেষ্টীয়াসকলে শুনিলে, তেতিয়া তেওঁলোক
সকলোৱে দায়ূদক চাবলৈ ওলাই গ'ল। কিন্তু দায়ূদে এইকথা শুনি
তেওঁলোকৰ বিৰুদ্ধে ওলাই গ'ল। ৯ সেই সময়ত পলেষ্টীয়াসকলে
আহি, ৰফায়ীম সমথলত লুট কৰিছিল। ১০ তেতিয়া দায়ূদে সহায়ৰ
বাবে যিহোৱাক সুধিলে। তেওঁ ক'লে, "মই পলেষ্টীয়াসকলক আক্ৰমণ
কৰিব লাগে নে? আপুনি মোক তেওঁলোকৰ ওপৰত জয়ী হব দিব নে?"
যিহোৱাই তেওঁক ক'লে, "আক্ৰমণ কৰা, কাৰণ মই নিশ্চয়ে তোমাক
তেওঁলোকক দিম।" ১১ সেয়ে তেওঁলোক বালপৰাচীমলৈ আহিল, আৰু
দায়ূদে তেওঁলোকক তাত পৰাজয় কৰিলে। তেওঁ মন্তব্য কৰিছিল,
"ঈশ্বৰে মোৰ হাতৰ দ্বাৰাই মোৰ শত্ৰুবোৰক বানপানীয়ে ভেটা ভঙাৰ
দৰে ভাঙিলে।" সেয়ে এই ঠাইৰ নাম বাল-পৰাচীম হ'ল। ১২ সেই
ঠাইতে তেওঁলোকে নিজৰ দেৱ-মুৰ্ত্তিবোৰ এৰি গ'ল, আৰু দায়ূদৰ
আজ্ঞাত সেইবোৰ জুইত পোৰা হ'ল। ১৩ তাৰ পাছত পলেষ্টীয়াসকলে
পুনৰ সেই সমথলত লুট কৰিলে। ১৪ সেয়ে দায়ূদে পুনৰ সহায়ৰ বাবে
ঈশ্বৰক সুধিলে, ঈশ্বৰে তেওঁক ক'লে, "তুমি তেওঁলোকক সন্মুখৰ পৰা
আক্ৰমণ নকৰিবা, কিন্তু তাৰ পৰিবৰ্তে তেওঁলোকৰ পাছফালে আগুৰি

ধৰিবা আৰু বালছম কাঠনিৰ মাজেদি তেওঁলোকৰ ওচৰলৈ আহিবা।
১৫ যেতিয়া বালছম গছৰ ওপৰেৰে সৈন্য যোৱাৰ নিচিনা বতাহৰ শব্দ
শুনিবা, তেতিয়া তুমি সজোৰে আক্ৰমণ কৰিবা। তুমি এইদৰে কৰিবা,
কাৰণ পলেষ্টীয়াসকলৰ সৈন্যসকলক আক্ৰমণ কৰিবৰ অৰ্থে ঈশ্বৰ
তোমাৰ আগত যাওঁতা হ'ব। ১৬ সেয়ে দায়ূদে ঈশ্বৰৰ আজ্ঞাৰ দৰে
কাৰ্য কৰিলে। তেওঁ গিবিয়োনৰ পৰা গেজৰলৈকে পলেষ্টীয়াসকলৰ
সৈন্যক পৰাজিত কৰিলে। ১৭ এইদৰে দায়ূদৰ সুখ্যাতি দেশৰ সকলো
ফালে বিয়পি গ'ল, আৰু যিহোৱাই তেওঁৰ প্ৰতি সকলো দেশীয় লোকৰ
ভয় জন্মালে।

**১৫** তাৰ পাছত দায়ূদে নিজৰ বাবে দায়ূদৰ নগৰত ঘৰবোৰ নিৰ্ম্মাণ
কৰিলে। তেওঁ ঈশ্বৰৰ নিয়ম-চন্দুকৰ বাবে ঠাই যুগুত কৰিলে আৰু
তাৰ বাবে এটা তম্বু তৰিলে। ২ তেতিয়া দায়ূদে ক'লে, "ঈশ্বৰৰ নিয়ম-
চন্দুক কেৱল লেবীয়াসকলে বব পাৰিব, কাৰণ যিহোৱাই নিয়ম-চন্দুক
ববলৈ আৰু সদা-সৰ্ব্বদাই তেওঁৰ পৰিচৰ্যা কৰিবলৈ তেওঁলোকক
মনোনীত কৰিছে।" ৩ দায়ূদে যি ঠাই যুগুত কৰিছিল, সেই ঠাইলৈ
যিহোৱাৰ নিয়ম-চন্দুক আনিবৰ বাবে তেওঁ ইস্ৰায়েলৰ সকলো লোকক
যিৰূচালেমত গোট খোৱালে। ৪ দায়ূদে হাৰোণৰ বংশধৰসকলক আৰু
লেবীয়াসকলক এক গোট কৰিলে। ৫ কহাতৰ বংশধৰসকলৰ মাজৰ
মুখ্য লোক উৰীয়েল, আৰু তেওঁৰ সম্বন্ধীয়সকল এশ বিশ জন আছিল।
৬ মৰাৰীৰ বংশধৰসকলৰ মাজৰ মুখ্য লোক অচায়া, আৰু তেওঁৰ
সম্বন্ধীয়সকল দুশ বিশ জন আছিল। ৭ গেৰ্চোমৰ বংশধৰসকলৰ
মাজৰ মুখ্য লোক যোৱেল, আৰু তেওঁৰ সম্বন্ধীয়সকল এশ ত্ৰিশ জন
আছিল। ৮ ইলিচাফনৰ বংশধৰসকলৰ মাজৰ মুখ্য লোক চময়িয়া,
আৰু তেওঁৰ সম্বন্ধীয়সকল দুশ জন আছিল। ৯ হিব্ৰোণৰ বংশধৰসকলৰ
মাজৰ মুখ্য লোক ইলীয়েল, আৰু তেওঁৰ সম্বন্ধীয়সকল আশী জন
আছিল। ১০ উজ্জীয়েলৰ বংশধৰসকলৰ মাজৰ মুখ্য লোক অম্মীনাদব,
আৰু তেওঁৰ সম্বন্ধীয়সকল এশ বাৰ জন আছিল। ১১ দায়ূদে চাদোক
আৰু অবিয়াথৰ পুৰোহিতক, আৰু লেবীয়া উৰীয়েল, অচায়া, যোৱেল,
চময়িয়া, ইলীয়েল, আৰু অম্মীনাদবক মাতিলে। ১২ তেওঁ তেওঁলোকক

ক’লে, “তোমালোক লেবীয়াসকলৰ বংশৰ মূল মানুহ। মই ইস্ৰায়েলৰ
ঈশ্বৰ যিহোৱাৰ নিয়ম-চন্দুকৰ বাবে যি ঠাই যুগুত কৰিছোঁ, সেই
ঠাইলৈ যাতে এই নিয়ম-চন্দুক আনিব পাৰোঁ, তাৰ বাবে তুমি আৰু
তোমাৰ ভাইসকলে নিজকে পবিত্ৰ কৰা। ১৩ প্ৰথম বাৰ তোমালোকে
তাক বৈ অনা নাই। এই কাৰণে আমাৰ ঈশ্বৰ যিহোৱাই আমাক আঘাত
কৰিলে। কাৰণ আমি তেওঁৰ আজ্ঞা অনুসাৰে তেওঁক বিচাৰা নাছিলোঁ
বা বাধ্য হোৱা নাছিলোঁ।” ১৪ সেয়ে পুৰোহিত আৰু লেবীয়াসকলে
ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাৰ নিয়ম-চন্দুক আনিবৰ বাবে নিজকে পবিত্ৰ
কৰিলে। ১৫ যিহোৱাৰ বাক্য অনুসাৰে মোচিয়ে যেনেকৈ আজ্ঞা
কৰিছিল, তেনেকৈ লেবীয়াসকলে কাঠৰ দীঘল মাৰিৰে নিজৰ কান্ধত
যিহোৱাৰ নিয়ম-চন্দুক বৈ ল’লে। ১৬ দায়ূদে লেবীয়াসকলৰ মুখ্য
লোকসকলক ক’লে, যে, তেওঁলোকৰ বাদ্যকৰ ভাইসকলক বাদ্যযন্ত্ৰৰ
সৈতে নেবল, বীণা, আৰু তাল বজাই মহা-ধ্বনি কৰি আৰু আনন্দেৰে
উচ্চ-স্বৰে গীত-গান কৰিবলৈ নিযুক্ত কৰক। ১৭ সেয়ে লেবীয়াসকলে
যোৱেলৰ পুত্ৰ হেমনক আৰু তেওঁৰ ভায়েকৰ মাজৰ এজন, বেৰেখিয়াৰ
পুত্ৰ আচফক, তেওঁলোক মৰাৰীৰ বংশধৰৰ সম্বন্ধীয় আৰু কুচায়াৰ পুত্ৰ
এথনকো নিযুক্ত কৰিছিল। ১৮ তেওঁলোকৰ লগত তেওঁলোকৰ দ্বিতীয়
শ্ৰেণীৰ সম্বন্ধীয়: জখৰিয়া, বেন, যাজীয়েল, চমীৰামোৎ, যিহীয়েল,
উন্নী, ইলীয়াব, বনায়া, মাচেয়া, মত্তিথিয়া, ইলীফলেহু, মিক্লেয়া,
ওবেদ-ইদোম আৰু দুৱৰী যিয়ীয়েলক নিযুক্ত কৰিলে। ১৯ বাদ্যকৰ
হেমন, আচফ, আৰু এথনক পিতলৰ তালেৰে মহা-ধ্বনি কৰিবলৈ
নিযুক্ত কৰিছিল, ২০ জখৰিয়া, অজীয়েল, চমীৰামোৎ, যিহীয়েল,
উন্নী, ইলীয়াব, মাচেয়া, আৰু বনায়া, এওঁলোকক অলামোৎ সুৰত
বেহেলা বজাবলৈ, ২১ মত্তিথিয়া, ইলীফলেহু, মিক্লেয়া, ওবেদ-ইদোম,
যিয়ীয়েল, আৰু অজজীয়াক চিমিনীৎ সুৰত বীণা বজাবলৈ প্ৰধান
বাদ্যকৰ হ’বলৈ নিযুক্ত কৰা হ’ল। ২২ লেবীয়াসকলৰ মাজত কননিয়া
মুখ্য গায়ক আছিল, তেওঁ গীত পৰিচালনা কৰিছিল, কাৰণ তেওঁ
নিপুণ আছিল। ২৩ বেৰেখিয়া আৰু ইলকানা নিয়ম-চন্দুকৰ ৰখীয়া
আছিল। ২৪ চবনিয়া, যোচাফট, নথনেল, অমাচয়, জখৰিয়া, বনায়া,

আৰু ইলীয়েজৰ, পুৰোহিতসকলে ঈশ্বৰৰ নিয়ম-চন্দুকৰ সন্মুখত তূৰী
বজাইছিল। ওবেদ-ইদোম আৰু যিহিয়া নিয়ম-চন্দুকৰ ৰখীয়া আছিল।
২৫ সেয়ে দায়ুদ, ইস্রায়েলৰ বৃদ্ধসকল, আৰু সহস্ৰপতিসকলে আনন্দ
কৰি কৰি, ওবেদ-ইদোমৰ ঘৰৰ পৰা যিহোৱাৰ নিয়ম-চন্দুক আনিবলৈ
গ'ল। ২৬ যিহোৱাৰ নিয়ম-চন্দুক বৈ আনিবলৈ লেবীয়াসকলক ঈশ্বৰে
সহায় কৰিছিল, আৰু তেওঁলোকে সতোটা ষাঁড়-গৰু আৰু সাতোটা মেৰ
উৎসৰ্গ কৰিছিল। ২৭ দায়ুদ, নিয়ম-চন্দুক বৈ অনা লেবীয়াসকল,
গায়কসকল, আৰু গায়কসকলৰ লগত গীতৰ পৰিচালক কননিয়া,
এওঁলোক সকলোৱে মিহি শণ সুতাৰ চোলা পিন্ধিছিল। দায়ূদে শণ
সূতাৰ এফোদ কাপোৰ পিন্ধিছিল। ২৮ এইদৰে ইস্রায়েলৰ সকলোৱে
মহা জয়-ধ্বনিৰে, শিঙাৰ শব্দেৰে, তালেৰে, বেহেলাৰে আৰু বীণাৰ
মহা-ধ্বনিৰে যিহোৱাৰ নিয়ম-চন্দুক লৈ আহিছিল। ২৯ কিন্তু যিহোৱাৰ
নিয়ম-চন্দুক দায়ূদৰ নগৰত সোমাওঁতে, চৌলৰ জীয়েক মীখলে,
খিড়িকিয়েদি চাই দেখিলে যে, দায়ুদ ৰজাই নাচি নাচি আনন্দ কৰি
আছিল। তেতিয়া তেওঁ নিজৰ অন্তৰতে দায়ূদক হেয়জ্ঞান কৰিলে।

**১৬** তেওঁলোকে ঈশ্বৰৰ নিয়ম-চন্দুক বৈ আনিলে আৰু দায়ূদে নিয়ম-
চন্দুকৰ বাবে তৰা তম্বুৰ মাজত ৰাখিলে। তাৰ পাছত ঈশ্বৰৰ সাক্ষাতে
হোম-বলি আৰু সমজুৱা বলি উৎসৰ্গ কৰিলে। ২ দায়ূদে হোম-বলি
আৰু সমজুৱা বলি উৎসৰ্গ কৰি শেষ কৰাৰ পাছত, তেওঁ যিহোৱাৰ
নামেৰে লোকসকলক আশীৰ্ব্বাদ কৰিলে। ৩ তেওঁ ইস্রায়েলৰ সকলো
লোকক, পুৰুষ আৰু মহিলাৰ মাজত এটাকৈ পিঠা, এটুকুৰাকৈ মাংস,
আৰু এটাকৈ কিচমিচৰ পিঠা ভগাই দিলে। ৪ দায়ূদে যিহোৱাৰ
নিয়ম-চন্দুকৰ সন্মূখত পৰিচৰ্যা কৰিবলৈ, ইস্রায়েলৰ ঈশ্বৰ যিহোৱাৰ
গুণ গাবলৈ, আৰু তেওঁৰ ধন্যবাদ-প্ৰশংসা কৰিবলৈ, লেবীয়াসকলৰ
কেইজনমানক নিযুক্ত কৰিলে। ৫ সেই লেবীয়াসকলৰ মাজত প্ৰধান
আছিল আচফ। তেওঁৰ পাছত জখৰিয়া, যিয়ীয়েল, চমীৰামোৎ,
যিহীয়েল, মত্তিথিয়া, ইলীয়াব, বনায়া, ওবেদ-ইদোম, আৰু যিয়ীয়েল,
এওঁলোকে বেহেলা আৰু বীণা বজাইছিল। আচফে মহা-ধ্বনিৰে তাল
বজাইছিল, ৬ যহজীয়েল আৰু বনায়া, এই দুজন পুৰোহিতে যিহোৱাৰ

নিয়ম-চন্দুকৰ আগত প্ৰতিদিনে শিঙা বজাইছিল। ৭ তাৰ পাছত সেই
দিনাই দায়ুদে যিহোৱাক ধন্যবাদ দিবৰ বাবে এই গীত গাবলৈ আচফ
আৰু তেওঁৰ ভাইসকলক নিযুক্ত কৰিলে। ৮ যিহোৱাৰ ধন্যবাদ কৰা,
তেওঁৰ নামেৰে প্ৰাৰ্থনা কৰা; জাতি সমূহৰ মাজত কৰা তেওঁৰ কাৰ্যবোৰ
জনোৱা। ৯ তেওঁৰ উদ্দেশ্যে গীত গোৱা, তেওঁৰ মহিমা কৰা; তেওঁৰ
সকলো আচৰিত কাৰ্যবোৰ কোৱা। ১০ তেওঁৰ পবিত্ৰ নামৰ গৌৰৱ
কৰা; যিহোৱাক বিচাৰা সকলৰ মনে আনন্দ কৰক। ১১ যিহোৱাক
বিচাৰা আৰু তেওঁৰ শক্তিক বিচাৰা; সদায় তেওঁৰ উপস্থিতি বিচাৰা।
১২ তেওঁ কৰা আচৰিত কৰ্মবোৰ সোঁৱৰণ কৰা, তেওঁৰ অদ্ভুত কাম
আৰু তেওঁৰ শাসন-প্ৰণালীবোৰ সোঁৱৰা। ১৩ তেওঁৰ দাস ইস্ৰায়েলৰ
বংশধৰসকল, তেওঁৰ মনোনীত সকলৰ মাজৰ এজন যাকোবৰ লোক,
১৪ তেওঁ যিহোৱা, আমাৰ ঈশ্বৰ। তেওঁৰ শাসন-প্ৰণালী সকলো পৃথিৱীত
প্ৰচলিত। ১৫ তোমালোকে তেওঁৰ নিয়মটি চিৰদিনলৈকে মনত ৰাখা,
এক হাজাৰ পুৰুষক তেওঁৰ বাক্য আজ্ঞা কৰা। ১৬ তেওঁ অব্ৰাহামৰ
লগত স্থাপন কৰা নিয়ম, আৰু ইচহাকলৈ কৰা শপত তোমালোকে
সোঁৱৰণ কৰা। ১৭ আৰু এইদৰে তেওঁ যাকোবৰ বাবে এটা বিধান
স্থিৰ কৰিলে, আৰু ইস্ৰায়েলৰ কাৰণে এটা অনন্তকাল স্থায়ী নিয়ম স্থিৰ
কৰিলে। ১৮ তেওঁ ক'লে, “মই তোমাক কনান দেশ দিম, তোমাৰ স্বত্ব
থকা আধিপত্য দিম।” ১৯ মই কৈছিলোঁ সেই সময়ত তোমালোকৰ
সদস্য কম আছিল, সেয়ে অতি তাকৰ, আৰু দেশত প্ৰবাসী আছিলা।
২০ তেওঁলোক এক দেশৰ পৰা আন দেশলৈ, এক ৰাজ্যৰ পৰা আন
ৰাজ্যলৈ ২১ তেওঁ তেওঁলোকক অত্যাচাৰ কৰিবলৈ কাকো নিদিলে;
তেওঁ তেওঁলোকৰ বাবে ৰজা সকলকো শাস্তি দিছিল। ২২ তেওঁ
কৈছিল, “তোমালোকে মোৰ অভিষিক্ত সকলক নুচুবা, আৰু মোৰ
ভাববাদী সকলৰ কোনো অনিষ্ট নকৰিবা।” ২৩ হে সমস্ত পৃথিৱী,
যিহোৱাৰ উদ্দেশে গীত গোৱা; প্ৰতিদিনে তেওঁৰ পৰিত্ৰাণ ঘোষণা
কৰা। ২৪ জাতি সমূহৰ মাজত, তেওঁৰ গৌৰৱ প্ৰকাশ কৰা, জাতি
সমূহৰ মাজত তেওঁৰ আচৰিত কৰ্ম ঘোষণা কৰা। ২৫ কাৰণ যিহোৱা
মহান আৰু অতি প্ৰশংসনীয়; আৰু আন সকলো দেৱতা বোৰতকৈ

তেওঁ ভয়ানক। ২৬ কাৰণ জাতি সকলৰ সকলো দেৱতাবোৰ প্ৰতিমা
মাথোন, কিন্তু তেওঁ যিহোৱা যি জনে আকাশ-মণ্ডল সৃষ্টি কৰিলে। ২৭
মহিমা আৰু প্ৰতাপ তেওঁৰ সাক্ষাতে আছে। তেওঁৰ স্থানত শক্তি আৰু
আনন্দ থাকে। ২৮ জাতি সমূহৰ লোকসকল, তোমালোকে যিহোৱাৰ
উদ্দেশ্যে গৌৰৱ আৰু শক্তি আৰোপ কৰা। যিহোৱাৰ উদ্দেশে গৌৰৱ
আৰু শক্তি দিয়া; ২৯ যিহোৱাৰ উদ্দেশে তেওঁৰ নাম গৌৰৱ কৰা।
তেওঁৰ আগত উপহাৰ লৈ আহাঁ। পবিত্ৰতাৰে বিভূষিত হৈ যিহোৱাৰ
আগত আঁঠুকাঢ়া। ৩০ সমস্ত পৃথিৱী, তেওঁৰ আগত কম্পমান হোৱা।
পৃথিৱী খনো লৰচৰ নোহোৱাকৈ স্থাপিত হৈছে। ৩১ আকাশ-মণ্ডল
আনন্দ কৰক, আৰু পৃথিৱীও উল্লাসিত হওক; জাতি সমূহৰ মাজত
তেওঁলোকে কওঁক, “যিহোৱাই ৰাজত্ব কৰিছে।” ৩২ সমুদ্ৰ আৰু তাৰ
সকলোৱে গৰ্জ্জন কৰক; আৰু যিবোৰে তাক পূৰ্ণ কৰে, সেইবোৰেও
উচ্চস্বৰে আনন্দ কৰক। পথাৰবোৰ আৰু তাত থকা সকলোৱেও
আনন্দ কৰক। ৩৩ তেতিয়া কাঠনিৰ সকলো গছবোৰে যিহোৱাৰ
সাক্ষাতে উচ্ছস্বৰে আনন্দ কৰিব, কাৰণ তেওঁ পৃথিৱীৰ বিচাৰ কৰিবলৈ
আহি আছে। ৩৪ যিহোৱাৰ ধন্যবাদ কৰা, কাৰণ তেওঁ মঙ্গলময়,
কাৰণ তেওঁৰ দয়া চিৰকাললৈকে থাকে। ৩৫ আৰু কোৱা, “হে আমাৰ
উদ্ধাৰকৰ্তা ঈশ্বৰ, আমাক উদ্ধাৰ কৰা। তোমাৰ পবিত্ৰ নামৰ ধন্যবাদ
কৰিবলৈ, তোমাৰ প্ৰশংসাত জয়-ধ্বনি কৰিবলৈ; আমাক একলগ কৰি
আন জাতিবোৰৰ পৰা আমাক উদ্ধাৰ কৰা। যাতে আমি আপোনাৰ
পবিত্ৰ নামত ধন্যবাদ কৰিব পাৰোঁ আৰু আপোনাৰ প্ৰশংসাত মহিমা
কৰিব পাৰোঁ। ৩৬ ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱা ধন্য হওক। অনাদি কালৰ
পৰা অনন্ত কাললৈকে।” তেতিয়া সকলো লোকে ক’লে, “আমেন”
আৰু যিহোৱাৰ প্ৰশংসা কৰিলে। ৩৭ প্ৰতিদিনৰ প্ৰয়োজন অনুসাৰে
নিয়ম-চন্দুকৰ আগত একেৰাহে পৰিচৰ্যা কৰিবলৈ, তেওঁ আচফক
আৰু তেওঁৰ ভাইসকলক যিহোৱাৰ নিয়ম-চন্দুকৰ সন্মূখত ৰাখিলে।
৩৮ ওবেদ-ইদোমৰ লগত তেওঁলোকৰ আঠষষ্টি জন সম্পৰ্কীয় লোকক
ভুক্ত কৰা হ’ল, যিদূথূনৰ পুত্ৰ ওবেদ-ইদোম আৰু লগতে হোচা
দুৱৰী হ’ল। ৩৯ চাদোক পুৰোহিত, আৰু লগৰীয়া পুৰোহিতসকল

গিবিয়োনৰ ওখ ঠাইত যিহোৱাৰ আবাসৰ আগত পৰিচৰ্যা কৰিলে।
৪০ হোম-বেদিৰ ওপৰত যিহোৱাৰ উদ্দেশ্যে একেৰাহে ৰাতিপুৱা আৰু
গধূলি হোম-বলি উৎসৰ্গ কৰিছিল, এইসকলো যিহোৱাই লিখাৰ দৰে
কাৰ্য কৰিবলৈ ইস্ৰায়েলক যিহোৱাই আজ্ঞা কৰিছিল। ৪১ যিহোৱাক
ধন্যবাদ দিবলৈ, হেমন, আৰু যিদূথূন লগত নামেৰে মনোনীত অৱশিষ্ট
লোকসকলক একেলগে ৰাখিলে, কাৰণ "যিহোৱাৰ দয়া চিৰকাললৈকে
থাকে," ৪২ হেমন আৰু যিদূথূন তূৰী, তাল আৰু ঈশ্বৰীয় বাদ্যযন্ত্ৰসমূহ
বজোৱাসকলৰ তত্ত্বাৱধানত আছিল। যিদূথূনৰ পুত্ৰসকল দুৱাৰ ৰখীয়া
কৰিছিল। ৪৩ তাৰ পাছত সকলো লোক নিজৰ নিজৰ ঘৰলৈ উভটি
আহিল, আৰু দায়ূদেও নিজৰ পৰিয়ালসকলক আশীৰ্ব্বাদ কৰিবলৈ
উভতি আহিল।

**১৭** দায়ূদে নিজৰ ঘৰত স্থায়ীভাৱে বাস কৰাৰ পাছত, তেওঁ নাথন
ভাববাদীক ক'লে, "চোৱা, মই এৰচ কাঠেৰে সজা ঘৰত বাস কৰি
আছোঁ, কিন্তু যিহোৱাৰ নিয়ম-চন্দুক তম্বুৰ ভিতৰত আছে।" ২ তেতিয়া
নাথনে দায়ূদক ক'লে, "যাওক, আপোনাৰ মনৰ ভিতৰত যি আছে,
তাকে কৰক, কাৰণ ঈশ্বৰ আপোনাৰ লগত আছে।" ৩ কিন্তু সেই
ৰাতিয়েই নাথনলৈ ঈশ্বৰৰ বাক্য আহিল আৰু ক'লে, ৪ "তুমি যোৱা,
মোৰ দাস দায়ূদক কোৱা, 'যিহোৱাই এই কথা কৈছে: মই বাস
কৰিবলৈ মোৰ বাবে তুমি ঘৰ নাসাজিবা। ৫ কাৰণ মই ইস্ৰায়েলক
উলিয়াই অনা দিনৰে পৰা আজিলৈকে কোনো ঘৰত বাস কৰা
নাই। বৰঞ্চ এটা তম্বুত, এটা আবাসত আৰু বিভিন্ন ঠাইত বাস কৰি
আছোঁ। ৬ ইস্ৰায়েলৰ মাজত মই ঠাই সমূহ সলাই থাকোঁতে ইস্ৰায়েলৰ
প্ৰজাসকলক প্ৰতিপালন কৰিবলৈ যি সকলক মই নিযুক্ত কৰিছিলোঁ,
তেওঁলোকৰ কোনো এজন জানো কৈছিলোঁ, "তোমালোকে কিয় মোৰ
বাবে এৰচ কাঠৰ ঘৰ নিৰ্ম্মাণ কৰা নাই?"" ৭ "সেয়ে এতিয়া, তুমি
মোৰ দাস দায়ূদক কোৱা, 'বাহিনীসকলৰ যিহোৱাই এই কথা কৈছে:
"মোৰ ইস্ৰায়েলৰ লোকসকলৰ ওপৰত প্ৰশাসক হ'বলৈ, মই তোমাক
চৰণীয়া ঠাইৰ পৰা, আৰু মেৰৰ জাকৰ পাছে পাছে যোৱাৰ পৰা বাচি
ললোঁ। ৮ আৰু তুমি যি যি ঠাইলৈ গৈছিলা, মই তোমাৰ লগত থাকি

তোমাৰ সন্মুখৰ পৰা তোমাৰ আটাই শত্ৰুবোৰক ছেদন কৰিলোঁ।
আৰু পৃথিৱীত থকা মহৎ লোকৰ নামৰ দৰে তোমাৰো নাম মহৎ
কৰিম। ৯ মই মোৰ ইস্রায়েলৰ লোকসকলৰ বাবে এটা ঠাই নিৰ্বাচন
কৰিম আৰু তেওঁলোকক ৰোপণ কৰিম, সেয়ে তেওঁলোকে নিজৰ
ঠাইতে বাস কৰিব পাৰিব আৰু তেওঁলোকক লৰোৱা নহব। দুৰ্জন
লোকসকলে তেওঁলোকক উপদ্ৰৱ কৰিব নোৱাৰিব, যেনেকৈ আগৰ
দিনত কৰিছিল, ১০ যেতিয়া মই মোৰ ইস্রায়েল লোকসকলৰ ওপৰত
বিচাৰকৰ্ত্তাসকলক আজ্ঞা কৰিছিলোঁ যে, মই তোমাৰ শত্ৰুসকলক
বশীভূত কৰিম। তদুপৰি মই তোমাক কৈছো যে, মই যিহোৱাই
তোমাৰ বাবে এটা ঘৰ নিৰ্ম্মাণ কৰিম। ১১ যেতিয়া তোমাৰ আয়ুস
সম্পূৰ্ণ হ'ব আৰু তোমাৰ ওপৰ-পিতৃসকলৰ ওচৰলৈ যাব লগা হ'ব,
তেতিয়া তোমাৰ পাছত তোমাৰ বংশধৰক বৃদ্ধি কৰিম, আৰু তোমাৰ
নিজৰ বংশৰ এজনৰ কাৰণে, মই তেওঁৰ ৰাজ্য স্থাপন কৰিম। ১২
মোৰ বাবে তেওঁহে এটা ঘৰ নিৰ্ম্মাণ কৰিব, আৰু মই তেওঁৰ সিংহাসন
চিৰস্থায়ী কৰিম। ১৩ মই তেওঁৰ পিতৃ হ'ম, আৰু তেওঁ মোৰ পুত্ৰ হ'ব।
তোমাৰ পূৰ্বে শাসন কৰা, চৌলৰ পৰা যেনেকৈ মই আঁতৰাইছিলোঁ,
তেনেকৈ মই তেওঁৰ পৰা মোৰ বিশ্বাসযোগ্য নিয়ম আঁতৰ নকৰোঁ।
১৪ মোৰ ঘৰত আৰু মোৰ ৰাজ্যত তেওঁক সদায় থিৰে ৰাখিম, আৰু
তেওঁৰ সিংহাসন চিৰস্থায়ীভাৱে স্থাপন কৰিম।" ১৫ এই সকলো
বাক্য, আৰু এই সকলো দৰ্শন অনুসাৰে নাথনে দায়ূদক বিৱৰণ দি
ক'লে। ১৬ তেতিয়া ৰজা দায়ূদে ভিতৰলৈ গৈ যিহোৱাৰ সন্মুখত
বহিলে; আৰু তেওঁ ক'লে, "মই নো কোন, ঈশ্বৰ যিহোৱা, আৰু মোৰ
পৰিয়ালেই বা কি যে, আপুনি মোক আগ স্থান দিছে? ১৭ আৰু হে
ঈশ্বৰ, আপোনাৰ দৃষ্টিত ইও এটা ক্ষুদ্ৰ বিষয় আছিল, আপুনি আপোনাৰ
দাসৰ পৰিয়ালৰ বিষয়েও সুদীৰ্ঘদিনৰ কথা কলে, আৰু হে ঈশ্বৰ, মোৰ
ভৱিষ্যত পুৰুষসকলকো মোক দেখালে। ১৮ আপুনি আপোনাৰ দাসক
সন্মান দিছে। আপুনি আপোনাৰ দাসক বিশেষ স্বীকৃতি প্ৰদানৰ বিষয়ে
মই, দায়ুদ, আপোনাক পুনৰ কি ক'ম? ১৯ হে যিহোৱা, আপোনাৰ
দাসৰ বাবে আৰু নিজৰ অভিপ্ৰায় সিদ্ধ কৰিবলৈ, আপুনি এই মহৎ

কৰ্ম সাধন কৰিলে আৰু সকলো মহৎ কৰ্ম প্ৰকাশ কৰিলে। ২০ হে
যিহোৱা, আমি সদায় শুনা অনুসাৰে, আপোনাৰ তুল্য কোনো নাই,
আৰু আপোনাৰ বাহিৰে আন কোনো ঈশ্বৰ নাই। ২১ আৰু পৃথিৱীৰ
মাজত আপোনাৰ ইস্ৰায়েল লোকসকলৰ দৰে এনে কোন জাতি আছে?
আপুনি ঈশ্বৰ যাক নিজৰ লোক কৰিবলৈ মিচৰৰ পৰা মুক্ত কৰিলে,
যাতে মহৎ আৰু ভয়ানক কাৰ্যৰ দ্বাৰাই আপোনাৰ নাম কৰিব। আৰু
মিচৰৰ পৰা মুক্ত কৰা আপোনাৰ লোকসকলৰ আগৰ পৰা জাতি
সমূহক খেদিলে। ২২ তোমাৰ ইস্ৰায়েল লোকসকলক তুমি নিজৰ
চিৰস্থায়ী লোক কৰিলা, আৰু হে যিহোৱা, তুমি তেওঁলোকৰ ঈশ্বৰ
থ'লো। ২৩ সেয়ে এতিয়া হে যিহোৱা, আপুনি আপোনাৰ দাস আৰু
তাৰ পৰিয়ালৰ বিষয়ে যি প্ৰতিজ্ঞা কৰিলে, তাক সদাকাললৈকে স্থিৰ
কৰা হওক। যেনেকৈ আপুনি ক'লে, তেনেকৈয়ে কৰক। ২৪ আপোনাৰ
নাম চিৰকালৰ বাবে স্থাপিত আৰু মহিমান্বিত হ'বৰ বাবে লোকসকলে
এইদৰে ক'ব, বাহিনীসকলৰ যিহোৱা ইস্ৰায়েলৰ ঈশ্বৰ, আপোনাৰ
দাস দায়ূদৰ বংশ আপোনাৰ সাক্ষাতে থিৰে থাকিব। ২৫ কাৰণ হে
মোৰ ঈশ্বৰ, মই তোমাৰ বাবে এক বংশ স্থাপন কৰিম বুলি আপুনিয়েই
আপোনাৰ দাসৰ আগত প্ৰকাশ কৰিলে। সেই বাবেই মই আপোনাৰ
দাস আপোনাৰ আগত প্ৰাৰ্থনা সাহ পালোঁ। ২৬ এতিয়া হে যিহোৱা,
আপুনি ঈশ্বৰ, আৰু আপুনিয়েই আপোনাৰ দাসলৈ এই মঙ্গল-প্ৰতিজ্ঞা
কৰিলে। ২৭ এতিয়া আপুনি অনুগ্ৰহ কৰি আপোনাৰ দাসৰ বংশক
আশীৰ্ব্বাদ কৰক। যাতে আপোনাৰ দাসৰ বংশ যেন আপোনাৰ আগত
চিৰকাল থাকে। হে যিহোৱা, আপুনিয়েই আশীৰ্ব্বাদ কৰিলে, আৰু
সেয়ে চিৰকাললৈকে আশীৰ্ব্বাদযুক্ত হৈ থাকিব।

**১৮** তাৰ পাছত দায়ূদে পলেষ্টীয়াসকলক আক্ৰমণ কৰি পৰাজয়
কৰিলে, ফিলিষ্টীয়াসকলৰ অধীনত থকা গাত আৰু তাৰ গাওঁবোৰ
তেওঁ কাঢ়ি ল'লে। ২ তাৰ পাছত তেওঁ মোৱাবক পৰাজয় কৰিলে, আৰু
মোৱাবীয়াসকলে দায়ূদৰ দাস হৈ কৰ পৰিশোধ কৰিবলৈ ধৰিলে। ৩
ফৰাৎ নদীৰ ওচৰত হদৰেজৰে নিজৰ শাসন স্থাপন কৰিবলৈ যাওঁতে,
দায়ূদে চোবাৰ ৰজা হদদেজৰক হমাতত পৰাজয় কৰিলে। ৪ দায়ূদে

এক হাজাৰ ৰথ, সাত হাজাৰ অশ্বাৰোহী, আৰু বিশ হাজাৰ পদাতিক
সৈন্য বন্দী কৰি ল'লে। আৰু ৰথৰ আটাই ঘোঁৰাবোৰৰ পাছ-ঠেঙৰ
সিৰ কাটিলে, কিন্তু তাৰ মাজত এশ ৰথৰ বাবে ঘোঁৰা ৰাখিলে। ৫
যেতিয়া দম্মেচকৰ অৰামীয়াসকলে চোবাৰ ৰজা হদদেজৰে সহায়
কৰিবলৈ আহিলে, তেতিয়া দায়ূদে বাইশ হাজাৰ অৰামীয়ালোকক বধ
কৰিলে। ৬ তাৰ পাছত দায়ূদে দম্মেচকৰ অৰাম দেশত দুৰ্গৰক্ষক
সৈন্যৰ দল ভিতৰলৈ সুমুৱালে; আৰু অৰামীয়াসকলে দায়ূদৰ দাস হৈ
কৰ পৰিশোধ কৰিলে। দায়ূদে যি যি ঠাইত যায়, সেই সকলোতে
যিহোৱাই তেওঁক জয়ী হবলৈ দিয়ে। ৭ দায়ূদে হদদেজৰ দাস
কেইজনৰ গাত থকা সোণৰ ঢালবোৰ সোলোকাই যিৰূচালেমলৈ লৈ
আহিল। ৮ হদদেজৰ টিভৎ আৰু কূন নগৰৰ পৰা দায়ূদে অতি অধিক
পিতল আনিলে। এই পিতলৰ দ্বাৰাই চলোমনে পিতলৰ সমুদ্ৰ, দুটা
স্তম্ভ, আৰু পিতলৰ পাত্ৰবোৰ নিৰ্ম্মাণ কৰিছিল। ৯ যেতিয়া হমাতৰ
ৰজা তোয়োৱে শুনিলে যে দায়ূদে চোবাৰ ৰজা হদদেজৰৰ সকলো
সৈন্যসকলক পৰাজয় কৰিলে। ১০ তেতিয়া তোৱোয়ে নিজৰ পুত্ৰ
হদোৰামক দায়ুদ ৰজাক প্ৰণাম জনাবলৈ আৰু আশীৰ্ব্বাদ কৰিবলৈ
তেওঁৰ ওচৰত পঠালে, কাৰণ দায়ূদে হদদেজৰৰ বিৰুদ্ধে যুদ্ধ কৰি
তাক পৰাজয় কৰিলে, আৰু কাৰণ তোয়োৰৰ বিৰুদ্ধে হদৰেজৰে যুদ্ধ
ঘোষণা কৰিছিল। হদোৰাম নিজৰ লগত ৰূপ, সোণ, আৰু পিতল বস্তু
লৈ আহিছিল। ১১ দায়ুদ ৰজাই ইদোম, মোৱাব, অম্মোন, পলেষ্টীয়া
আৰু অমালেক আদি সকলো জাতিৰ পৰা অনা ৰূপ আৰু সোণৰ
সৈতে এইবোৰ বস্তুও যিহোৱাৰ উদ্দেশে উৎসৰ্গ কৰিলে। ১২ চৰূয়াৰ
পুত্ৰ অবীচয়ে লৱণ উপত্যকাত ওঠৰ হাজাৰ ইদোমীয়ালোকক বধ
কৰিলে। ১৩ তেওঁ ইদোমত দুৰ্গৰক্ষক সৈন্যদল স্থাপন কৰিলে আৰু
সকলো ইদোমীয়া লোক দায়ূদৰ দাস হ'ল। দায়ুদ যি যি ঠাইত যায়,
সেই সকলোতে যিহোৱাই তেওঁক জয়ী হ'বলৈ দিয়ে। ১৪ দায়ূদে
সকলো ইস্ৰায়েলৰ ওপৰত ৰাজত্ব কৰিলে আৰু তেওঁ নিজৰ সকলো
লোকৰ ন্যায় বিচাৰ আৰু ধৰ্ম্মনিষ্ঠাৰে পৰিচালনা কৰিলে। ১৫ চৰূয়াৰ
পুত্ৰ যোৱাব সৈন্যসকলৰ প্ৰধান সেনাপতি আছিল, আৰু অহীলূদৰ

পুত্ৰ যিহোচাফট্ বৃত্তান্ত লিখক আছিল। ১৬ অহীটুবৰ পুত্ৰ চাদোক,
আৰু অবিয়াথৰৰ পুত্ৰ অবীমেলক পুৰোহিত আছিল, চবচা ৰাজলিখক
আছিল; ১৭ যিহোয়াদাৰ পুত্ৰ বনায়া, কৰেথীয়া আৰু পেলেথীয়াসকলৰ
ওপৰত আছিল; আৰু দায়ূদৰ পুত্ৰসকল ৰজাৰ পৰামৰ্শদাতা আছিল।

**১৯** অম্মোনৰ লোকসকলৰ ৰজা নাহচৰ মৃত্যুৰ পাছত, তেওঁৰ পুত্ৰ
তেওঁৰ পদত ৰজা হ'ল। ২ দায়ুদে ক'লে, "নাহচৰ পুত্ৰ হানুনে মোৰ প্ৰতি
দয়া দেখুৱাইছিল, সেয়ে মইও তেওঁলৈ দয়া কৰিম।" সেই বাবে দায়ূদে
তেওঁৰ পিতৃক সান্তনা দিবলৈ বাৰ্তাবহক সকলক পঠালে। দায়ূদৰ
দাসবোৰ অম্মোনৰ দেশত সোমাই হানূনক শান্তনা দিবলৈ তেওঁৰ
ওচৰলৈ গ'ল। ৩ কিন্তু অম্মোনৰ প্ৰধান লোকসকলে হানুনক ক'লে,
"দায়ুদে আপোনাক সান্তনা দিবলৈ মানুহ পঠিওৱাৰ বাবে, আপুনি
ভাবিছেনে আপোনাৰ পিতৃক সচাঁকৈয়ে সন্মান কৰে?" আপোনাৰ দেশ
ধ্বংস কৰিবলৈ তেওঁৰ দাসবোৰে অনুসন্ধান কৰি দেশৰ বুজ-বিচাৰ
লবলৈ ইয়ালৈ আহিছে। ৪ সেয়ে হানুনে দায়ূদৰ দাস সকলক ধৰি
তেওঁলোকৰ ডাঢ়ি খুৰালে, তেওঁলোকৰ পিন্ধা কাপোৰ ককালৰ পৰা
তপিনালৈকে কাটি তেওঁলোকক যাবলৈ দিলে। ৫ যেতিয়া তেওঁলোকে
দায়ূদক এই সকলো কথা ব্যাখ্যা কৰিলে, তেতিয়া তেওঁলোকে লাজ
পোৱা বাবে তেওঁলোকক সাক্ষাৎ কৰিবলৈ তেওঁলোকৰ লগত মানুহ
পঠালে, আৰু ৰজাই তেওঁলোকক আজ্ঞা দিলে, "তোমালোকৰ ডাঢ়ি
নাবাঢ়ে মানে তোমালোক যিৰীহোত থাকা, তাৰ পাছত ওভটি আহিবা।
৬ যেতিয়া অম্মোনৰ লোকসকলে দেখিলে যে, দায়ূদৰ বাবে তেওঁলোক
ঘিণলগীয়া হ'ল, হানুন আৰু অম্মোনৰ লোকসকলে অৰাম-নহৰয়িম,
মাখা, আৰু চোবাৰ পৰা ৰথ আৰু অশ্বাৰোহীসকলক অনাৰ বাবে এক
হাজাৰ কিক্কৰ ৰূপ পঠালে। ৭ তেওঁলোকে বত্ৰিশ হাজাৰ ৰথ, আৰু
মাখাৰ ৰজা আৰু তেওঁৰ লোকসকলক ভাড়া দি আনিলে। তেওঁলোকে
আহি মেদবাৰ আগত ছাউনি পাতিলে। অম্মোনৰ লোকসকলে নিজৰ
নগৰৰ পৰা ওলাই গোট খাই যুদ্ধলৈ আহিল। ৮ যেতিয়া দায়ূদে এই
কথা শুনিলে, তেওঁ যোৱাবক আৰু সকলো সৈন্যসকলক তেওঁলোকক
সাক্ষাৎ কৰিবলৈ পঠালে। ৯ অম্মোনৰ লোকসকলক বাহিৰলৈ আহি

নগৰৰ দুৱাৰত যুদ্ধ কৰিবৰ অৰ্থে সৈন্যসকলে শাৰী পাতিলে, আৰু যি
সকল ৰজা নিজে আহিছিল, তেওঁলোক পথাৰত আছিল। ১০ যেতিয়া
যোৱাবে তেওঁৰ আগফালে আৰু পাছফালে, দুয়োফালে যুদ্ধৰ বাবে
শাৰী পাতি থকা দেখিলে, তেতিয়া তেওঁ ইস্ৰায়েলৰ লোক সকলৰ
মাজৰ পৰা পাৰ্গত যুদ্ধাৰু মনোনীত কৰিলে আৰু তেওঁলোকক অৰামীয়া
সকলৰ বিৰুদ্ধে প্ৰস্তুত কৰিলে। ১১ অৱশিষ্ট সৈন্যসকলক নিজৰ ভায়েক
অবীচয়ৰ শাসনত দিলে আৰু তেওঁ অম্মোনৰ সৈন্যসকলৰ বিৰুদ্ধে যুদ্ধৰ
বাবে তেওঁলোকক শাৰী পাতিবলৈ দিলে। ১২ যোৱাবে ক'লে, "যদি
অৰামীয়াসকল মোতকৈ অধিক বলৱান হয়, তেন্তে অবিচয় তুমি আহি
মোক নিশ্চয় উদ্ধাৰ কৰিবা। কিন্তু যদি তোমাতকৈ অম্মোনৰ সৈন্যসকল
অধিক বলৱান হয়, তেন্তে মই আহি তোমাক উদ্ধাৰ কৰিম। ১৩
সাহিয়াল হোৱা, আমাৰ লোকসকলৰ আৰু আমাৰ ঈশ্বৰৰ নগৰবোৰৰ
কাৰণে আহাঁ আমি নিজকে সাহসী দেখুৱাওহঁক, কাৰণ যিহোৱাই
তেওঁৰ উদ্দেশে যি ভাল, তাকেই কৰক।" ১৪ সেয়ে যোৱাব আৰু তেওঁৰ
সৈন্যৰ যোৱানসকলে অৰামীয়াসকলৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ আগুৱাই
গ'ল, যি জনে ইস্ৰায়েলৰ সৈন্যসকলৰ আগৰ পৰা পলাই যাবলৈ
বাধ্য কৰালে। ১৫ যেতিয়া অম্মোনৰ সৈন্যসকলে অৰামীয়াসকলক
পলাই যোৱা দেখিলে, তেওঁলোকেও যোৱাবৰ ভায়েক অবীচয়ৰ
আগৰ পৰা পলাই নগৰলৈ ঘূৰি গ'ল। তেতিয়া যোৱাব অম্মোনৰ
লোকসকলৰ পৰা ঘূৰি আহিল আৰু যিৰূচালেমলৈ উভতি গ'ল। ১৬
যেতিয়া অৰামীয়াসকলে ইস্ৰায়েলৰ দ্বাৰাই পৰাজিত হোৱা দেখিলে,
তেতিয়া তেওঁলোকক পুনৰ শক্তিশালী কৰিবলৈ ইফ্ৰাতীচ নদীৰ
সিপাৰে হদদেজৰৰ সৈন্যৰ সেনাপতি চোফকৰ লগত পঠিয়ালে। ১৭
যেতিয়া দায়ূদে এই কথা ক'লে, তেওঁ সকলো ইস্ৰায়েল লোকসকলক
একগোট কৰি, যৰ্দ্দন পাৰ হৈ তেওঁলোকৰ ওচৰলৈ আহিল। তেওঁ
অৰামীয়াসকলৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ সৈন্যসকলক প্ৰস্তুত কৰিলে, আৰু
তেওঁলোকে তেওঁৰ সৈতে যুদ্ধ কৰিলে। ১৮ অৰামীয়াসকল ইস্ৰায়েলৰ
পৰা পলাল, আৰু দায়ূদে সাত হাজাৰ ৰথী, চল্লিশ হাজাৰ পদাতিক
সৈন্যক বধ কৰিলে। তেওঁ সৈন্যৰ সেনাপতি চোফকো বধ কৰিলে।

১৯ যি সকল ৰজা হদদেজৰৰ দাস আছিল, তেওঁলোকে দেখিলে যে,
তেওঁলোক ইস্ৰায়েলৰ দ্বাৰাই পৰাজিত হৈছে, তেতিয়া তেওঁলোকে
দায়ূদৰ লগত শান্তি স্থাপন কৰিলে আৰু তেওঁলোকৰ পৰিচৰ্যা কৰিলে।
অৰামীয়া লোকসকলে অম্মোনৰ লোকসকলক যিকোনো প্ৰকাৰে
সহায় কৰিবলৈ ভয় কৰিলে। সেয়ে অৰামীয়া লোকসকলে অম্মোনৰ
লোকসকলক কোনোপধ্যেই সহায় কৰিবলৈ ইচ্ছা নকৰিলে।

২০ বসন্তকালৰ সময়ত সাধাৰণতে ৰজাসকলে যেতিয়া যুদ্ধলৈ
যায়, তেতিয়া যোৱাবে যুদ্ধত সৈন্যসকলক নেতৃত্ব দিছিল; পাছত
অম্মোনীয়াসকলৰ দেশ ধ্বংস কৰিলে, তেওঁ ৰব্বালৈ গৈ তাক অৱৰোধ
কৰিলে। দায়ুদ যিৰূচালেমতে থাকিল। যোৱাবে ৰব্বাক আক্ৰমণ কৰি
পৰাজিত কৰিলে। ২ দায়ূদে তেওঁলোকৰ ৰজাৰ মূৰৰ পৰা তেওঁৰ
ৰাজমুকুট ল'লে, আৰু তেওঁ দেখিলে যে, তাৰ সোণৰ পৰিমাণ এক
কিক্কৰ, আৰু তাত বহুমূলীয়া পাথৰ আছিল। সেই মুকুটটো দায়ূদৰ
মূৰত পিন্ধোৱা হ'ল আৰু তেওঁ সেই নগৰৰ পৰা বহু পৰিমানৰ লুটদ্ৰব্য
উলিয়াই আনিলে। ৩ দায়ূদে নগৰৰ ভিতৰত থকা লোকসকলক
বাহিৰলৈ আনিলে, আৰু কৰত, লোহাৰ মৈ, আৰু কুঠাৰেৰে কাম
কৰিবলৈ বাধ্য কৰিলে। দায়ূদে অম্মোনীয় লোকসকলৰ সকলো
নগৰবোৰত এইদৰে কাম কৰাটো বিচাৰিলে। তাৰ পাছত দায়ুদ আৰু
তেওঁৰ সকলো সৈন্য যিৰূচালেমলৈ ওভটি আহিল। ৪ ইয়াৰ পাছত
পলেষ্টীয়াসকলৰ লগত গেজৰত যুদ্ধ হ'ল। হূচাতীয়া চিব্বকয়ে চিপ্পয়
নামেৰে ৰফাৰ এজন বংশধৰক বধ কৰিলে, আৰু ফিলিষ্টীয়াসকলক
বশীভূত কৰিলে। ৫ পুনৰায় পলেষ্টীয়াসকলৰ লগত গবত যুদ্ধ হ'ল,
যায়ীৰৰ পুত্ৰ ইলহাননে গাতীয়া গলিয়াথৰ ভায়েক লহমীক বধ কৰিলে,
তাৰ যাঠী তাতঁশালৰ টোলোঠাৰ সমান আছিল। ৬ পুনৰ এবাৰ গাতত
যুদ্ধ হ'ল তাত অতি ওখ এজন লোক যাৰ দুয়োখন হাতত আৰু ভৰিত
ছটাকৈ আঙুলি আছিল। তেৰোঁ ৰফাৰ এজন বংশধৰ আছিল। ৭
তেওঁ যেতিয়া ইস্ৰায়েলৰ সৈন্যক ইতিকিং কৰিলে, তেতিয়া দায়ূদৰ
ভায়েক চিমিয়াৰ পুত্ৰ যোনাথনে তেওঁক বধ কৰিলে। ৮ তেওঁলোক

গাতৰ ৰফাৰ বংশধৰৰ লোক আৰু তেওঁলোকক দায়ুদ আৰু তেওঁৰ
সৈন্যসকলৰ হাতৰ দ্বাৰাই বধ কৰা হ’ল।

২১ ইস্রায়েলৰ বিৰুদ্ধে শত্রু থিয় হৈ ইস্রায়েলক গণনা কৰিবলৈ
দায়ূদক উচটাইছিল। ২ দায়ূদে যোৱাবক আৰু সৈন্যৰ অধিকাৰী
সকলক ক’লে, “যোৱা, তোমালোকে বেৰ-চেবাৰ পৰা দানলৈকে
ইস্রায়েল লোকসকলক গণনা কৰা আৰু ঘূৰি আহি মোক বিৱৰণ দিবা,
যাতে মই তেওঁলোকৰ সংখ্যা জানিব পাৰোঁ।” ৩ যোৱাবে ক’লে,
“যিহোৱাই তেওঁৰ সৈন্যসকলক এতিয়া যিমান আছে তাতকৈ এশ
গুণ অধিক বৃদ্ধি কৰক। কিন্তু হে মোৰ প্ৰভু মহাৰাজ, তেওঁলোক
সকলোৱে জানো মোৰ প্ৰভুৰ পৰিচৰ্যা নকৰে? কিয় মোৰ প্ৰভুৱে
এইদৰে বিচাৰিছে? কিয় ইস্রায়েলৰ ওপৰত দোষ কঢ়িয়াই আনিছে?”
৪ কিন্তু ৰজাৰ বাক্য যোৱাবৰ বিৰুদ্ধে চূড়ান্ত আছিল, সেয়ে যোৱাব
সেই ঠাই এৰি ইস্রায়েলৰ চাৰিওদিশে ফুৰিলে আৰু যিৰূচালেমলৈ
উভতি আহিল। ৫ তাৰ পাছত যোৱাবে যুদ্ধাৰু সকলৰ সম্পূৰ্ণ সংখ্যা
দায়ূদৰ আগত দিলে। তাত ইস্রায়েলৰ মাজত এঘাৰ লাখ তৰোৱাল
ধৰোঁতা লোক আছিল। যিহূদাৰ অকলেই চাৰি লাখ সত্তৰ হাজাৰ সৈন্য
আছিল। ৬ কিন্তু তেওঁলোকৰ মাজত লেবী আৰু বিন্যামীনক গণনা
কৰা নহ’ল, কাৰণ ৰজাৰ সেই আজ্ঞাত যোৱাবৰ ঘৃণা উপজিল। ৭
ঈশ্বৰে সেই কাৰ্যত অসন্তোষ পালে, সেয়ে তেওঁ ইস্রায়েলক আঘাত
কৰিলে। ৮ দায়ূদে ঈশ্বৰক ক’লে, “এই কৰ্ম কৰাৰ যোগেদি মই
মহা পাপ কৰিলোঁ। এতিয়া আপোনাৰ দাসৰ অপৰাধ ক্ষমা কৰক,
কিয়নো মই অতিশয় অজ্ঞানৰ দৰে কৰ্ম কৰিলোঁ।” ৯ যিহোৱাই
দায়ূদৰ দৰ্শক গাদক ক’লে, ১০ “যোৱা দায়ূদক গৈ কোৱা: ‘যিহোৱাই
এই কথা কৈছে: “মই তোমাক নিৰ্বাচন কৰিবলৈ তিনিটা সুযোগ
দিছোঁ। তাৰ মাজত এটা বাচি লোৱা।”” ১১ সেয়ে গাদে দায়ূদৰ
ওচৰলৈ গ’ল আৰু তেওঁক ক’লে, “যিহোৱাই এই কথা কৈছে: ‘ইয়াৰ
ভিতৰত এটা নিৰ্বাচন কৰা: ১২ নাইবা তিনি বছৰ আকাল হ’ব, বা
তিনি মাহলৈকে শত্রুবোৰৰ তৰোৱাল আপোনাৰ দেশত ব্যাপ্ত হৈ
আপোনাক অত্যাচাৰ কৰিব, বা তিনি দিনলৈকে যিহোৱাৰ তৰোৱাল,

অৰ্থাৎ দেশত মহামাৰীৰ লগত ইস্ৰায়েল দেশৰ সীমাত সংহাৰ কৰোঁতা যিহোৱাৰ দূতে ভ্ৰমণ কৰিব।’ এই হেতুকে যিজন সৰ্ব্বশক্তিমান ঈশ্বৰে মোক পঠালে, তেওঁক কি উত্তৰ দিম, তাক এতিয়া বিবেচনা কৰি চাওক।”
১৩ দায়ূদে গাদক ক’লে, “মই বৰ বিপদত পৰিছোঁ, মোক যিহোৱাৰ হাতত দিয়ক, কিয়নো তেওঁৰ দয়া প্ৰচুৰ, কিন্তু মোক মানুহৰ হাতত নিদিব।”
১৪ সেয়ে যিহোৱাই ইস্ৰায়েলৰ মাজলৈ মহামাৰী পঠালে, আৰু ইস্ৰায়েলৰ সত্তৰ হাজাৰ লোকৰ মৃত্যু হ’ল।
১৫ ঈশ্বৰে যিৰূচালেমক ধ্বংস কৰিবলৈ এজন দূত তালৈ পঠালে। যেতিয়া তেওঁ ধংস কৰিবলৈ ল’লে, তেতিয়া যিহোৱাই সেই অনিষ্টৰ বিষয়ে চিন্তা কৰি নিজৰ মন সলনি কৰিলে, আৰু তেওঁ ধ্বংসকাৰী দূতক কলে, “এয়ে জুৰিছে, এতিয়া তোমাৰ হাত কোঁচোৱা।” সেই সময়ত যিহোৱাৰ দূত যিবুচীয়াৰ অৰ্ণনৰ মৰণা মৰা ঠাইত থিয় হৈ আছিল।
১৬ দায়ূদে ওপৰলৈ চাই দেখিলে যে, যিহোৱাৰ দূত পৃথিৱী আৰু আকাশৰ মাজত থিয় হৈ আছে, আৰু যিৰূচালেমৰ ওপৰলৈ হাতত এখন খোলা তৰোৱাল দাঙি ধৰি আছিল। তেতিয়া দায়ূদে আৰু বৃদ্ধ লোকসকলে চট কাপোৰ পিন্ধি মাটিত মুখতল কৰি পৰিল।
১৭ দায়ূদে ঈশ্বৰক ক’লে, “যি জনে লোকসকলক গণনা কৰিবলৈ আজ্ঞা দিলে, সেই জন জানো মই নহওঁ? মই এই পাপ কৰ্ম কৰিলোঁ, কিন্তু এই মেৰবিলাকে কি কৰিলে? হে মোৰ ঈশ্বৰ যিহোৱা, বিনয় কৰোঁ, আপোনাৰ হাতেৰে মোক আৰু মোৰ পৰিয়ালক শাস্তি দিয়ক, কিন্তু আপোনাৰ লোকসকলক মহামাৰীৰে শাস্তি নিদিব।”
১৮ সেয়ে যিহোৱাৰ দূতে দায়ূদক যিবুচীয়াৰ অৰ্ণনৰ মৰণা মৰা ঠাইত যিহোৱাৰ উদ্দেশে এটা যজ্ঞবেদী স্থাপন কৰিবৰ অৰ্থে আজ্ঞা দিবলৈ গাদক ক’লে।
১৯ গাদে নিৰ্দেশ দিয়া অনুসাৰে কৰিবলৈ যিহোৱাৰ নামেৰে দায়ুদ তালৈ উঠি গ’ল।
২০ যেতিয়া অৰ্ণনে ঘেঁহু মৰণা মাৰি আছিল, তেতিয়া তেওঁ পাছফাললৈ ঘূৰি দূতক দেখিলে। তেওঁ আৰু তেওঁৰ চাৰিজন পুত্ৰই নিজকে লুকুৱালে।
২১ দায়ূদে অৰ্ণনৰ ওচৰলৈ আহিলে, আৰু অৰ্ণনে দায়ূদক দেখা পালে। তেওঁ মৰণা মৰা ঠাই পৰা আহি দায়ূদৰ আগত মাটিত মুখ লগাই প্ৰণিপাত কৰিলে।
২২ তেতিয়া দায়ূদে অৰ্ণনক ক’লে, “তুমি মৰণা মৰা

এই ঠাইডোখৰ মোক দিয়া, যাতে মই এই ঠাইতে যিহোৱাৰ উদ্দেশে
এটা যজ্ঞবেদী নিৰ্ম্মাণ কৰিব পাৰোঁ। মই ইয়াৰ সম্পূৰ্ণ দাম দিম, যাতে
লোকসকলৰ মাজৰ পৰা মহামাৰী দূৰ হয়। ২৩ অৰ্ণনে দায়ূদক ক'লে,
"প্ৰভু মহাৰাজ আপোনাৰ নিজৰ নিচিনাকৈ ইয়াক লওক। আপোনাৰ
দৃষ্টিত যি ভাল দেখে, তাকেই কৰক। চাওক, মই হোম-বলিৰ অৰ্থে
ষাঁড়-গৰু, খৰিৰ অৰ্থে মৰণা মৰা যন্ত্ৰ, আৰু নৈবেদ্যৰ অৰ্থে ঘেঁহু; এই
সকলো মই আপোনাৰ বাবে দিম।" ২৪ দায়ুদ ৰজাই অৰ্ণনক ক'লে,
"নহয়, মই সম্পূৰ্ণ মূল্য দিহে কিনি ল'ম। যিহোৱাৰ উদ্দেশে হোম-বলি
উৎসৰ্গ কৰিব খোজা তোমাৰ যি আছে বিনামূল্যে মই নলওঁ।" ২৫
সেয়ে দায়ূদে সেই ঠাইৰ কাৰণে ছশ চেকল সোণ দিলে। ২৬ দায়ূদে
সেই ঠাইত যিহোৱাৰ উদ্দেশে এটা যজ্ঞবেদী নিৰ্ম্মাণ কৰি, হোম-
বলি আৰু মঙ্গলাৰ্থক বলি উৎসৰ্গ কৰিলে। তেওঁ যিহোৱাৰ ওচৰত
প্ৰাৰ্থনা কৰিলে, তাতে তেওঁ আকাশৰ পৰা হোম-বেদিত অগ্নি পেলাই
তেওঁক উত্তৰ দিলে। ২৭ তেতিয়া যিহোৱাই দূতক আজ্ঞা কৰিলে,
আৰু দূতে নিজৰ তৰোৱাল খাপত ভৰাই হ'ল। ২৮ দায়ূদে যেতিয়া
যিহোৱাই যিবুচীয়া অৰ্ণনৰ মৰণা মৰা ঠাইত উত্তৰ দিয়া দেখিলে,
তেতিয়া তেওঁ সেই সময়তে সেই ঠাইত বলিদান দিলে। ২৯ সেই
সময়ত, মোচিয়ে মৰুপ্ৰান্তত নিৰ্ম্মাণ কৰা যিহোৱাৰ আবাস, আৰু হোম-
বলিৰ বাবে যজ্ঞবেদি, গিবিয়োনৰ ওখ ঠাইত আছিল। ৩০ অৱশ্যে
দায়ূদে ঈশ্বৰৰ পৰামৰ্শ লবলৈ তেওঁৰ আগলৈ যাব নোৱাৰিছিল; কাৰণ
যিহোৱাৰ দূতৰ তৰোৱাললৈ তেওঁ ভয় কৰিছিল।

২২ তাৰ পাছত দায়ূদে ক'লে, "এয়ে ঈশ্বৰ যিহোৱাৰ গৃহৰ ঠাই আৰু
ইস্ৰায়েলৰ হোম-বলি উৎসৰ্গৰ অৰ্থে পবিত্ৰ-বেদি হ'ব।" ২ দায়ূদে
ইস্ৰায়েল দেশত বাস কৰা বিদেশী সকলক একগোট কৰিবলৈ দাস
সকলক আজ্ঞা দিলে। ঈশ্বৰৰ গৃহ নিৰ্ম্মাণ কৰিবৰ অৰ্থে শিল কাটি
টুকুৰা কৰিবলৈ তেওঁলোকক শিল-কটিয়া কামত নিযুক্ত কৰিলে। ৩
দুৱাৰৰ গজাল, আৰু বাটামৰ বাবে দায়ূদে অধিক পৰিমানে লোহা
আৰু পিতল যোগান ধৰিলে। তেওঁ জুখিব নোৱাৰা পৰিমানে তামো
যোগান ধৰিলে, ৪ আৰু গণিব নোৱাৰা পৰিমাণৰ এৰচ কাঠ চীদোনীয়া

আৰু তূৰীয়াসকলে দায়ূদৰ ওচৰলৈ গণনা কৰিবলৈ অনেক এৰচ
কাঠ আনিছিল ৫ দায়ূদে ক'লে, "মোৰ পুত্ৰ চলোমন ডেকা ল'ৰা
আৰু তেওঁৰ অভিজ্ঞতা হোৱা নাই, আৰু যিহোৱাৰ অৰ্থে যি গৃহ সজা
হ'ব বিষেশৰূপে আকৰ্ষণীয় হ'ব লাগিব, সেয়া আন সকলো দেশতো
প্ৰখ্যাত আৰু খ্যাতিমান হ'ব, লাগিব। সেয়ে এই গৃহৰ বাবে মই প্ৰস্তুত
হ'ব লাগিব।" সেই কাৰণে দায়ূদে তেওঁৰ মৃত্যুৰ আগতে ব্যাপক
হাৰত বস্তু প্ৰস্তুত কৰিলে। ৬ তাৰ পাছত তেওঁ নিজৰ পুত্ৰ চলোমনক
মাতিলে আৰু ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাৰ বাবে এটা গৃহ সাজিবলৈ
তেওঁক আজ্ঞা দিলে। ৭ দায়ূদে চলোমনক ক'লে, "হে মোৰ পুত্ৰ, মোৰ
ঈশ্বৰ যিহোৱাৰ নামৰ উদ্দেশ্যে এটা গৃহ নিৰ্ম্মাণ কৰিবলৈ মোৰ ইচ্ছা
আছিল। ৮ কিন্তু যিহোৱাই মোৰ ওচৰলৈ আহি ক'লে, 'তুমি অনেকৰ
ৰক্তপাত কৰিলা, আৰু বহুতো যুদ্ধ কৰিলা। তুমি মোৰ নামৰ উদ্দেশ্যে
গৃহ নাসাজিবা, কিয়নো পৃথিবীত মোৰ সাক্ষাতে তুমি অনেকৰ ৰক্তপাত
কৰিলা। ৯ অৱশ্যে তোমাৰ এজন পুত্ৰ জন্মিব, তেওঁ শান্তিপ্ৰিয় ব্যক্তি
হ'ব। মই তেওঁৰ চাৰিওফালে থকা সকলো শত্ৰুৰ পৰা তেওঁক ৰক্ষা
কৰিম। কাৰণ তেওঁৰ নাম চলোমন হ'ব, আৰু মই তেওঁৰ দিনত
ইস্ৰায়েলক শান্তি আৰু নিৰিবিলি পৰিবেশ দিম। ১০ তেওঁ মোৰ নামৰ
উদ্দেশে এটা গৃহ নিৰ্ম্মাণ কৰিব। তেওঁ মোৰ পুত্ৰ হ'ব, আৰু মই তেওঁৰ
পিতৃ হ'ম। মই ইস্ৰায়েলৰ ওপৰত তেওঁৰ ৰাজ সিংহাসন চিৰস্থায়ীৰূপে
স্থাপন কৰিম। ১১ হে মোৰ বোপা, এতিয়া যিহোৱা তোমাৰ সঙ্গী হওক
আৰু তুমি কৃতকাৰ্য্য হ'বলৈ সক্ষম হোৱা। তেওঁ কোৱাৰ দৰে তুমি
তোমাৰ ঈশ্বৰ যিহোৱাৰ গৃহ নিৰ্ম্মাণ কৰা। ১২ যেতিয়া তেওঁ ইস্ৰায়েলৰ
দায়িত্বভাৰ তোমাৰ ওপৰত দিব তেতিয়া কেৱল যিহোৱাই তোমাক
বুদ্ধি আৰু বিবেচনা দিয়ক, যাতে তুমি তোমাৰ ঈশ্বৰ যিহোৱাৰ বিধি
পালন কৰিব পাৰিবা। ১৩ যিহোৱাই ইস্ৰায়েলৰ বাবে মোচিক দিয়া
বিধি আৰু শাসন-প্ৰণালীবোৰ পালন কৰিবলৈ, আৰু সেই দৰে কাৰ্য
কৰিবলৈ সাৱধানে থাকিলে, তুমি কৃতকাৰ্য্য হ'ব; তুমি বলৱান আৰু
সাহিয়াল হোৱা, ভয়াতুৰ কি নিৰাশ নহ'বা। ১৪ এতিয়া চোৱা, মই
অতি কষ্টেৰে যিহোৱাৰ গৃহৰ বাবে এক লাখ কিক্কৰ সোণ, আৰু দহ

লাখ কিক্কৰ ৰূপ, আৰু অধিক হোৱাৰ বাবে নোজোখাকৈ পিতল আৰু
অধিক পৰিমানে লোহা যুগুত কৰি থৈছোঁ। মই কাঠ আৰু শিলো যুগুত
কৰি থৈছোঁ। তুমি ইয়াৰ লগত আৰু অধিক যোগ কৰিব পাৰিবা। ১৫
তোমাৰ অনেক কাম কৰা মানুহ আছে: শিল-কটিয়া, শিল আৰু কাঠৰ
কাম কৰোঁতা, আৰু সকলো বিধৰ কামত নিপুণ অগণন লোক আছে।
১৬ যি সকল সোণ, ৰূপ, পিতল, আৰু লোহাৰ কাম কৰিব জানে। সেয়ে
কামত লাগি থাকা আৰু যিহোৱা তোমাৰ লগত থাকক।” ১৭ দায়ূদে
তেওঁৰ পুত্ৰ চলোমনক সহায় কৰিবলৈ, ইস্ৰায়েলৰ সকলো প্ৰধান
লোকসকলক আজ্ঞা কৰি ক’লে, ১৮ তোমালোকৰ ঈশ্বৰ যিহোৱা,
তোমালোকৰ লগত আছে আৰু চাৰিও দিশৰ পৰা তেওঁ তোমালোকক
শান্তি দিব। তেওঁ দেশ নিবাসী সকলক মোৰ হাতত দিলে। যিহোৱাৰ
আৰু তেওঁৰ লোকসকলৰ আগত দেশ বশীভূত হৈ আছে। ১৯ এতিয়া
সম্পূৰ্ণ হৃদয়েৰে তোমালোকৰ ঈশ্বৰ যিহোৱাক বিচাৰা। উঠা, আৰু
ঈশ্বৰ যিহোৱাৰ পবিত্ৰ গৃহ নিৰ্ম্মাণ কৰা। তাৰ পাছত নিয়ম-চন্দুক আৰু
ঈশ্বৰৰ পবিত্ৰ বস্তুবোৰ যিহোৱাৰ নামৰ উদ্দেশ্যে নিৰ্ম্মাণ কৰা গৃহলৈ
আনিব পাৰিবা।

২৩ যেতিয়া দায়ূদে বৃদ্ধ হৈ জীৱনৰ শেষ অৱস্থাত পালে, তেতিয়া
তেওঁ তেওঁৰ পুত্ৰ চলোমনক ইস্ৰায়েলৰ ওপৰত ৰজা পাতিলে। ২
তেওঁ পুৰোহিত আৰু লেবীয়া সকলৰ সৈতে ইস্ৰায়েলৰ সকলো প্ৰধান
লোকসকলক এক গোট কৰিলে। ৩ লেবীয়া সকলৰ ত্ৰিশ বছৰ আৰু
তাৰ ওপৰৰ বয়সীয়া লোকসকলক গণনা কৰা হ’ল। তেওঁলোকৰ
সংখ্যা আঠত্ৰিশ হাজাৰ আছিল। ৪ তেওঁলোকৰ মাজৰ চৌবিশ হাজাৰ
লোকক যিহোৱাৰ গৃহৰ কাৰ্য কৰিবলৈ নিযুক্ত কৰা হ’ল আৰু ছয়
হাজাৰ লোক কৰ্মচাৰী আৰু বিচাৰকৰ্ত্তা আছিল। ৫ চাৰি হাজাৰ দুৱৰী
আছিল; আৰু চাৰি হাজাৰ লোক বাদ্যযন্ত্ৰৰ সৈতে যিহোৱাৰ প্ৰশংসা
কৰিবৰ বাবে আছিল; এই বিষয়ে দায়ূদে কৈছিল, “এইবোৰ মই
আৰাধনা বাবে সাজিছোঁ”। ৬ দায়ূদে তেওঁলোকক লেবীয়া সকলৰ
লগত যোগাযোগ কৰিবলৈ বিভিন্ন দলত বিভক্ত কৰিলে: গেৰ্চোন,
কহাৎ, আৰু মৰাৰী। ৭ গেৰ্চোনীয়া সকলৰ বংশধৰ সকলৰ গোষ্ঠীৰ

পৰা, তাত লদ্দন আৰু চিমিয়ীয়া আছিল। ৮ তাত লদ্দনৰ তিনি জন পুত্ৰ
আছিল; যিহীয়েল মূখ্য লোক আছিল, তাৰ পাছত যেথম আৰু যোৱেল
আছিল। ৯ চিমিয়ীৰ তিনি জন পুত্ৰ আছিল: চলোমৎ, হজীয়েল আৰু
হাৰণ; এওঁলোক লদ্দনৰ গোষ্ঠীৰ মূখ্য লোক আছিল। ১০ চিমিয়ীৰ
চাৰি জন পুত্ৰ আছিল: যহৎ, জীনা, যিয়ূচ আৰু বৰীয়া। ১১ তেওঁলোকৰ
মাজত যহৎ ডাঙৰ আছিল, আৰু দ্বিতীয় জীজা, কিন্তু যিয়ূচ আৰু বৰীয়াৰ
অধিক সন্তান নাছিল সেয়ে তেওঁলোক একে কামৰ বাবে একে গোষ্ঠীৰ
বুলি বিবেচনা কৰা হৈছিল। ১২ কহাতৰ চাৰি জন পুত্ৰ আছিল: অম্ৰম,
যিচহৰ, হিব্ৰোণ, আৰু উজ্জীয়েল। ১৩ অম্ৰমৰ পুত্ৰ আছিল: হাৰোণ
আৰু মোচি। অতি পবিত্ৰ বস্তু যিহোৱাৰ সাক্ষাতে ধূপ জ্বলাই, তেওঁৰ
পৰিচৰ্যা কৰিবলৈ, আৰু তেওঁৰ নামেৰে চিৰকাল আশীৰ্ব্বাদ কৰিবৰ
বাবে, হাৰোণক আৰু তেওঁৰ বংশধৰ সকলক স্থায়ীভাৱে মনোনীত
কৰা হ'ল। ১৪ কিন্তু ঈশ্বৰৰ লোক মোচিৰ পুত্ৰ সকলক লেবীয়া বুলি
বিবেচনা কৰিছিল। ১৫ মোচিৰ পুত্ৰ গেৰ্চোম আৰু ইলিয়েজৰ। ১৬
গেৰ্চোমৰ বংশধৰ চবূৱেল, ডাঙৰ আছিল। ১৭ ইলিয়েজৰৰ বংশধৰ
ৰহবিয়া আছিল। ইলিয়েজৰৰ আৰু পুত্ৰ নাছিল, কিন্তু ৰহবিয়াৰ বহুতো
বংশধৰ আছিল। ১৮ যিচহৰৰ পুত্ৰ চলোমীৎ মুখ্য আছিল। ১৯ হিব্ৰোণৰ
বংশধৰ যিৰিয়া ডাঙৰ আছিল, দ্বিতীয় অমৰিয়া, তৃতীয় যহজীয়েল,
আৰু চতুৰ্থ যিকমিয়াম। ২০ উজ্জীয়েলৰ পুত্ৰ মীখা ডাঙৰ আছিল, আৰু
দ্বিতীয় যিচিয়া। ২১ মৰাৰীৰ পুত্ৰ মহলী আৰু মুচী আছিল। মহলীৰ
পুত্ৰ ইলীয়াজ আৰু কীচ। ২২ ইলীয়াজৰৰ পুত্ৰ নোহোৱাকৈয়ে মৃত্যু
হয়, তেওঁৰ কেৱল কেইজনী মান জীয়েক আছিল। কীচৰ পুত্ৰসকলে
তেওঁলোকক বিয়া কৰাইছিল। ২৩ মুচীৰ তিনি জন পুত্ৰ, মহলী,
এদৰ, আৰু যিৰেমোৎ। ২৪ এই লেবীয়াৰ বংশধৰ সকলে নিজৰ
গোষ্ঠীৰ লগত যোগাযোগ কৰিছিল। তেওঁলোক নেতৃত্বত আছিল যাৰ
নাম গণনা কৰা হৈছিল আৰু তালিকাত আছিল। যিহোৱাৰ গৃহৰ
পৰিচৰ্যা কৰা গোষ্ঠীৰ লোকসকল বিশ বছৰ আৰু তাৰ ওপৰ বয়সৰ
আছিল। ২৫ কাৰণ দায়ূদে কৈছিল, "ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাই,
তেওঁৰ লোকসকলক বিশ্ৰাম দিলে, তেওঁ সদাকালৰ বাবে নিজৰ গৃহ

যিৰূচালেমত নিৰ্ম্মাণ কৰিলে। ২৬ লেবীয়াসকলে আবাস, আৰু তেওঁৰ
পৰিচৰ্যাত ব্যৱহাৰ কৰা সকলো সামগ্ৰী আৰু কঢ়িয়াব লগা নহব।" ২৭
কাৰণ দায়ূদৰ শেষ বাক্যৰ অনুসাৰে বিশ বছৰ আৰু তাতকৈ ওপৰৰ
বয়সৰ লেবীয়া সকলক গণনা কৰা হ'ল। ২৮ তেওঁলোকে যিহোৱাৰ
গৃহৰ পৰিচৰ্যাৰ বাবে হাৰোণৰ বংশধৰ সকলৰ সহায়কাৰী আছিল।
তেওঁলোক চোতাল কেইখন, কোঁঠালিবোৰ, সকলো পবিত্ৰ বস্তু শুচি
কৰা আৰু ঈশ্বৰৰ গৃহৰ আন সকলো কামৰ তত্বাৱধান কৰিছিল। ২৯
তেওঁলোকে দৰ্শন-পিঠা, শষ্য উৎসৰ্গৰ বাবে মিহি আটাগুড়ি, খমিৰ
নিদিয়া পিঠা, তাৱাত সেক দিয়া পিঠা, তেলত মিহলোৱা, আৰু সকলো
জোখ আৰু পৰিমান চোৱাৰ তত্বাৱধানত আছিল। ৩০ তেওঁলোকে
প্ৰতি ৰাতিপুৱা আৰু গধূলি যিহোৱাৰ ধন্যবাদ আৰু প্ৰশংসাৰ বাবেও
থিয় হৈছিল। ৩১ আৰু যিহোৱাৰ উদ্দেশে প্ৰতিদিনে বিধানৰ মতে, লেখ
অনুসাৰে বিশ্ৰাম-বাৰত, আৰু ন-জোন উৎসৱত আৰু নিৰূপিত পৰ্ব্বতত
যিহোৱাৰ উদ্দেশে হোম-বলি উৎসৰ্গ কৰিছিল। ৩২ তেওঁলোকে সাক্ষাৎ
কৰা তম্বুৰ আৰু পবিত্ৰ স্থানৰ দ্বয়ীত্বত আছিল, আৰু যিহোৱাৰ গৃহৰ
পৰিচৰ্যা কাৰ্যত হাৰোণৰ বংশধৰ সকলকো সহায় কৰিছিল।

**২৪** হাৰোণৰ বংশধৰ সকলৰ বিভাগসমূহ: নাদব, অবীহূ, ইলিয়াজৰ
আৰু ঈথামৰ। ২ তেওঁলোকৰ পিতৃৰ মৃত্যু পূৰ্বেই নাদব আৰু অবীহূৰ
মৃত্যু হয়। তেওঁলোকৰ সন্তান নাছিল, সেয়ে ইলিয়াজৰ আৰু ঈথামৰ
পুৰোহিতৰ পৰিচৰ্যাত আছিল। ৩ দায়ূদে একেলগে ইলিয়াজৰৰ বংশৰ
চাদোকক, আৰু ঈথামৰৰ বংশৰ অহীমেলকক তেওঁলোকৰ পুৰোহিত
পৰিচৰ্যাৰ কাৰণে বেলেগ বেলেগ দলত ভাগ কৰিলে। ৪ ঈথামৰৰ
বংশধৰ সকলতকৈ ইলিয়াজৰৰ বংশধৰ সকলৰ মাজত নেতৃত্ব লোৱা
লোক বেছি আছিল। সেয়ে তেওঁলোকে ইলিয়াজৰৰ বংশধৰ সকলক
যোল্লটা দলত বিভক্ত কৰিছিল। তেওঁলোক ঈথামৰৰ বংশধৰ আৰু
গোষ্ঠীৰ মূৰব্বী সকলৰ দ্বাৰাই এই সকলো কৰিছিল। ৫ একো প্ৰভেদ
নাৰাখি, তেওঁলোকক ইলিয়াজৰ আৰু ঈথামৰ দুয়োৰে বংশধৰ সকলৰ
পৰা পবিত্ৰস্থানৰ কৰ্মচাৰীসকল, আৰু ঈশ্বৰৰ কৰ্মচাৰীসকলৰ বাবে
একো প্ৰভেদ নাৰাখি, চিঠি খেলাই তেওঁলোকক বিভক্ত কৰিছিল।

৬ লেবীয়া বংশৰ নথনেলৰ পুত্ৰ চমৰিয়া লিখকে ৰজাৰ, কৰ্মচাৰীৰ, চাদোক পুৰোহিতৰ, অবিয়াথৰৰ পুত্ৰ অহীমেলকৰ, আৰু পুৰোহিত সকলৰ নেতা ও লেবীয়া পৰিয়াল সকলৰ উপস্থিতিত তেওঁলোকৰ নাম লিখিলে। ইলিয়াজৰৰ বংশৰ পৰা এটা গোষ্ঠী আৰু ঈথামৰৰ বংশৰ পৰা এটা গোষ্ঠী চিঠি খেলৰ দ্বাৰাই নিৰ্বাচন কৰা হৈছিল। ৭ প্ৰথম চিঠি খেলত যিহোয়াৰীবৰ, দ্বিতীয় যিদয়াৰ, ৮ তৃতীয়ৰ হাৰীমৰ, চতুৰ্থ চিয়োৰীমৰ, ৯ পঞ্চম মল্কিয়াৰ, ষষ্ঠ মিয়ামীনৰ, ১০ সপ্তম হক্কোচৰ, অষ্টম অবিয়াৰ, ১১ নৱম যেচূয়াৰ, দশম চখনিয়াৰ, ১২ একাদশ ইলীয়াচিবৰ, দ্বাদশ যাকীমৰ, ১৩ ত্ৰয়োদশ হুপ্পাৰ, চতুৰ্দ্দশ যেচেবাবৰ, ১৪ পঞ্চদশ বিলগাৰ, ষোড়শ ইম্মেৰৰ, ১৫ সপ্তদশ হেজীৰৰ, অষ্টাদশ হপ্পিচেৰৰ, ১৬ ঊনবিংশ পথহিয়াৰ, বিংশ যিহিস্কেলৰ, ১৭ একবিংশ যাখীনৰ, দ্বাবিংশ গামূলৰ, ১৮ ত্ৰয়োবিংশ দলায়াৰ, চতুৰ্ব্বিংশ মাজিয়াৰ নাম উঠিল। ১৯ যেতিয়া তেওঁলোকে যিহোৱাৰ গৃহলৈ আহিব তেতিয়া ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাৰ আজ্ঞা অনুসাৰে তেওঁলোকৰ ওপৰ-পিতৃ হাৰোণৰ দ্বাৰাই তেওঁলোকক দিয়া পদ্ধতিৰ দ্বাৰাই কৰা তেওঁলোকৰ পৰিচৰ্যাৰ আজ্ঞা সমূহ এইবিলাক আছিল। ২০ লেবীৰ অৱশিষ্ট বংশধৰসকল এওঁলোক: অম্ৰমৰ বংশধৰ সকলৰ মাজত চূবায়েল; চূবায়েলৰ বংশধৰ সকলৰ মাজত যেহদিয়া। ২১ অম্ৰমৰ বংশধৰ সকলৰ মাজত যিচিয়া নেতা আছিল। ২২ যিচহৰীয়াৰ বংশধৰ সকলৰ মাজত চলোমোৎ। চলোমোতৰ বংশধৰ সকলৰ মাজত যহৎ। ২৩ হিব্ৰাণৰ বংশধৰ সকলৰ মাজত প্ৰথম যিৰিয়া, দ্বিতীয় অমৰিয়া, তৃতীয় যহজীয়েল, আৰু চতুৰ্থ যিকমিয়াম। ২৪ উজ্জীয়েলৰ বংশধৰ সকলৰ মাজত মীখা। মীখাৰ বংশধৰ সকলৰ মাজত চামীৰ। ২৫ মীখাৰ ভায়েক যিচিয়া; যিচিয়াৰ পুত্ৰ সকলৰ মাজত জখৰিয়া। ২৬ মৰাৰীৰ বংশধৰ সকলৰ মাজত মহলী আৰু মুচী; যাজিয়াৰ বংশধৰসকলৰ মাজত বিনো। ২৭ মৰাৰীৰ বংশধৰ সকলৰ মাজত যাজিয়া, বিনো, চোহম, জুক্কৰ, আৰু ইব্ৰী। ২৮ মহলীৰ বংশধৰ সকলৰ মাজত ইলীয়াজৰ; এওঁৰ পুত্ৰ নাছিল। ২৯ কীচৰ বংশধৰ সকলৰ মাজত যিৰহমেল। ৩০ মুচী বংশধৰ সকলৰ মাজত মহলী, এদৰ, আৰু যিৰীমোৎ। তেওঁলোকৰ

পৰিয়াল অনুসাৰে তালিকাত থকা লেবীয়াসকল এওঁলোক। ৩১
দায়ুদ ৰজাৰ, চাদোকৰ, অহীমেলকৰ, আৰু পুৰোহিতসকলৰ আৰু
লেবীয়াসকলৰ পৰিয়ালৰ নেতাসকলৰ উপস্থিতিত তেওঁলোকে পুনৰ
চিঠি খেলালে। পৰিয়াল সকলৰ ডাঙৰ পুত্ৰ সকলে সৰু সকলৰ লগত
চিঠি খেলালে। হাৰোণৰ বংশধৰ সকলে কৰাৰ দৰেই এওঁলোকেও
চিঠি খেলালে।

**২৫** দায়ুদ আৰু আবাসৰ পৰিচৰ্যাৰ প্ৰধান লোকসকলে আচফ,
হেমন, আৰু যিদূথূনৰ পুত্ৰ সকলক কিছুমান কামৰ বাবে নিৰ্বাচন
কৰিলে। এওঁলোকে বীণা, বেহেলা, আৰু তালেৰে ভাবিষ্যত বাণী
কৰিলে। যিসকল লোকে এই কাম কৰিছিল তেওঁলোকৰ তালিকা
তলত দিয়া হ'ল: ২ আচফৰ পুত্ৰ সকলৰ পৰা: জুক্কৰ, যোচেফ,
নথনিয়া, আৰু অচৰেলা; আচফৰ পুত্ৰসকল আচফৰ নিৰ্দেশ অনুযায়ী
ৰজাৰ নিৰীক্ষণৰ অধীনত ভাববাণী কৰে। ৩ যিদূথূনৰ পুত্ৰ সকলৰ
পৰা: গদলিয়া, চৰী, যিচয়া, হচবিয়া, চিমিয়া, আৰু মত্তিথিয়া, এই
ছয় জনে, তেওঁলোকৰ পিতৃ যিদুথূনৰ নিৰ্দেশ অনুযায়ী যিহোৱাৰ
ধন্যবাদ আৰু প্ৰশংসাৰ বাবে বীণা বজায়। ৪ হেমনৰ পুত্ৰ সকলৰ পৰা:
বুক্কিয়া, মত্তনিয়া, উজ্জীয়েল, চবূৱেল, যিৰীমোৎ, হননিয়া, হনানী,
ইলীয়াথা, গিদ্দলতী, ৰোমমতী-এজৰ, যচবিকাচা, মল্লোথী, হোথীৰ
আৰু মহজীয়োৎ। ৫ ৰজাৰ ভাববাদী হেমনৰ এওঁলোক পুত্ৰ। ঈশ্বৰক
শ্ৰদ্ধা কৰিবলৈ তেওঁক চৌদ্ধ জন পুত্ৰ আৰু তিনি জনী ছোৱালী দান
কৰিলে। ৬ তেওঁলোকৰ পিতৃৰ নিৰ্দেশ অনুযায়ী এই সকলো কৰিছিল।
তেওঁলোক ঈশ্বৰৰ গৃহৰ বাদ্যকৰ আছিল, তেওঁলোকে ঈশ্বৰৰ গৃহৰ
পৰিচৰ্যাৰ বাবে তাল, বেহেলা, আৰু বীণা বজাইছিল। আচফ, যিদূথূন,
আৰু হেমন ৰজাৰ নিৰ্দেশৰ অধীনত আছিল। ৭ তেওঁলোক আৰু
তেওঁলোকৰ ভাইসকল যিহোৱাৰ উদ্দেশ্যে বাদ্য বজোৱাত প্ৰশিক্ষণ
প্ৰাপ্ত আৰু নিপুণ আছিল তেওঁলোক সংখ্যাত দুশ আঠাশী জন আছিল।
৮ তেওঁলোকৰ সৰু কি বৰ, গুৰু কি শিষ্য সকলোৱে সমানে চিঠি খেলাই
নিজৰ কৰিব লগীয়া কাৰ্য কৰিবলৈ থিৰ কৰিছিল। ৯ এতিয়া আচফৰ
পুত্ৰ সকলৰ বিষয়ে: প্ৰথম চিঠি খেলত যোচেফৰ পৰিয়ালৰ নাম উঠিল;

দ্বিতীয় গদলিয়াৰ পৰিয়ালৰ নামত উঠিল, তেওঁলোক সংখ্যাত বাৰ জন; ১০ তৃতীয় জুক্কৰৰ নামত উঠিল, তেওঁৰ পুত্ৰ আৰু সম্পৰ্কীয় লোক সকল সংখ্যাত বাৰ জন; ১১ চতুৰ্থ যিথ্ৰীৰ নামত উঠিল, তেওঁৰ পুত্ৰ আৰু সম্পৰ্কীয় সকল সংখ্যাত বাৰ জন। ১২ পঞ্চম নথনিয়াৰ নামত উঠিল, তেওঁৰ পুত্ৰ আৰু সম্পৰ্কীয় সকল সংখ্যাত বাৰ জন; ১৩ ষষ্ঠ বুক্কিয়াৰ নামত উঠিল, তেওঁৰ পুত্ৰ আৰু সম্পৰ্কীয় সকল সংখ্যাত বাৰ জন; ১৪ সপ্তম যিচৰেলাৰ নামত উঠিল, তেওঁৰ পুত্ৰ আৰু সম্পৰ্কীয় সকল সংখ্যাত বাৰ জন। ১৫ অষ্টম যিচয়াৰ নামত উঠিল, তেওঁৰ পুত্ৰ আৰু সম্পৰ্কীয়সকল সংখ্যাত বাৰ জন; ১৬ নৱম মত্তনিয়াৰ নামত উঠিল, তেওঁৰ পুত্ৰ আৰু সম্পৰ্কীয় সকল সংখ্যাত বাৰ জন; ১৭ দশম চিমিয়ীৰ নামত উঠিল, তেওঁৰ পুত্ৰ আৰু সম্পৰ্কীয় সকল সংখ্যাত বাৰ জন; ১৮ একাদশ অজৰেলৰ নামত উঠিল, তেওঁৰ পুত্ৰ আৰু সম্পৰ্কীয় সকল সংখ্যাত বাৰ জন; ১৯ দ্বাদশ হচবিয়াৰ নামত উঠিল, তেওঁৰ পুত্ৰ আৰু সম্পৰ্কীয় সকল সংখ্যাত বাৰ জন; ২০ ত্ৰয়োদশ চূবায়েলৰ নামত উঠিল, তেওঁৰ পুত্ৰ আৰু সম্বন্ধীয় সকল সংখ্যাত বাৰ জন; ২১ চতুৰ্দ্দশ মত্তিথিয়াৰ নামত উঠিল, তেওঁৰ পুত্ৰ আৰু সম্পৰ্কীয় সকল সংখ্যাত বাৰ জন; ২২ পঞ্চদশ যিৰেমোতৰ নামত উঠিল, তেওঁৰ পুত্ৰ আৰু সম্পৰ্কীয় সকল সংখ্যাত বাৰ জন; ২৩ ষোড়শ হননিয়াৰ নামত উঠিল, তেওঁৰ পুত্ৰ আৰু সম্পৰ্কীয় সকল সংখ্যাত বাৰ জন; ২৪ সপ্তদশ যচবিকাচাৰ নামত উঠিল; তেওঁৰ পুত্ৰ আৰু সম্পৰ্কীয় সকল সংখ্যাত বাৰ জন; ২৫ অষ্টাদশ হনানীৰ নামত উঠিল; তেওঁৰ পুত্ৰ আৰু সম্পৰ্কীয় সকল সংখ্যাত বাৰ জন; ২৬ ঊনবিংশ মল্লোথীৰ নামত উঠিল, তেওঁৰ পুত্ৰ আৰু সম্পৰ্কীয় সকল সংখ্যাত বাৰ জন; ২৭ বিংশ ইলিয়াথাৰ নামত উঠিল, তেওঁৰ পুত্ৰ আৰু সম্পৰ্কীয় সকল সংখ্যাত বাৰ জন; ২৮ একবিংশ হোথীৰৰ নামত উঠিল, তেওঁৰ পুত্ৰ আৰু সম্পৰ্কীয় সকল সংখ্যাত বাৰ জন; ২৯ দ্বাবিংশ গিদ্দলতীৰ নামত উঠিল, তেওঁৰ পুত্ৰ আৰু সম্পৰ্কীয় সকল সংখ্যাত বাৰ জন; ৩০ ত্ৰয়োদশ মহজীয়াতৰ নামত উঠিল, তেওঁৰ পুত্ৰ আৰু সম্পৰ্কীয় সকল সংখ্যাত বাৰ জন; ৩১

চতুৰ্ব্বিংশ ৰোমমতী-এজৰৰ নামত উঠিল, তেওঁৰ পুত্ৰ আৰু সম্পৰ্কীয় সকল সংখ্যাত বাৰ জন;

২৬ দুৱৰী সকলৰ বিভাগসমূহ তলত দিয়া হ'ল: কোৰহীয়া সকলৰ পৰা, কোৰিৰ পুত্ৰ মচেলেমিয়া আচফৰ এজন বংশধৰ আছিল। ২
মচেলেমিয়াৰ পুত্ৰ সকল: প্ৰথম পুত্ৰ জখৰিয়া, দ্বিতীয় যিদীয়েল, তৃতীয় জবদিয়া, চতুৰ্থ যৎনীয়েল, ৩ পঞ্চম এলম, ষষ্ঠ যোহোহানন, আৰু সপ্তম ইলিহোঐনয়। ৪ ওবেদ-ইদোমৰ পুত্ৰ সকল: প্ৰথম পুত্ৰ চময়িয়া, দ্বিতীয় যিহোজাবদ, তৃতীয় যোৱাহ, চতুৰ্থ চাখৰ, পঞ্চম নথনেল, ৫ ষষ্ঠ
অম্মীয়েল, সপ্তম ইচাখৰ, আৰু অষ্টম পিয়ুলতয়, কাৰণ ঈশ্বৰে ওবেদ-ইদোমক আশীৰ্ব্বাদ কৰিছিল। ৬ তেওঁৰ পুত্ৰ চময়িয়াৰ কেইজনো
পুত্ৰ জন্মিল; তেওঁলোকে নিজৰ পৰিয়াল সকলক শাসন কৰিছিল; তেওঁলোক বহুতো দক্ষতা সম্পন্ন লোক আছিল। ৭ চময়িয়াৰ পুত্ৰ
সকল হ'ল অৎনী, ৰফায়েল, ওবেদ, আৰু ইলজাবদ। তেওঁৰ সম্পৰ্কীয় ইলীহূ ও চমখিয়াও বহুতো দক্ষতা সম্পন্ন লোক আছিল। ৮ এওঁলোক
সকলোৱেই ওবেদ-ইদোমৰ বংশধৰ আছিল। তেওঁলোক, তেওঁলোকৰ পুত্ৰ সকল আৰু সম্পৰ্কীয় সকল ঈশ্বৰৰ আবাসৰ পৰিচৰ্যাৰ তেওঁলোকৰ কাম কৰাত সক্ষম লোক আছিল। তেওঁলোকৰ মাজৰ বাষষ্টি জন ওবেদ-ইদোমৰ সম্পৰ্কীয় আছিল। ৯ মচেলেমিয়াৰ পুত্ৰ সকল আৰু
সম্পৰ্কীয় সকল, সক্ষম লোকসকল, সৰ্বমুঠ ওঠৰ জন আছিল। ১০
মৰাৰীৰ এজন বংশধৰ হোচাৰ পুত্ৰ সকল: চিম্ৰী এজন নেতা, যদিও তেওঁ প্ৰথম পুত্ৰ নাছিল, তথাপিও তেওঁৰ পিতৃয়ে তেওঁক নেতৃত্বৰ ভাৰ দিছিল, ১১ দ্বিতীয় হিল্কিয়া, তৃতীয় টবলিয়া, আৰু চতুৰ্থ জখৰিয়া। হোচাৰ পুত্ৰ আৰু সম্পৰ্কীয় লোকসকল সংখ্যাত তেৰ জন আছিল।
১২ দুৱৰী সকলৰ বিভাগবোৰে তেওঁলোকৰ নেতা সকলৰ লগত যোগাযোগ কৰি তেওঁলোকৰ সম্পৰ্কীয় সকলৰ দৰে, যিহোৱাৰ গৃহত পৰিচৰ্যা কৰি, তেওঁলোকৰ কৰিবলগীয়া কাৰ্য কৰে। ১৩ তেওঁলোকে
সকলো সম্পৰ্কীয় সকলৰ লগত যোগাযোগ কৰি সৰু কি বৰ সকলোৱে প্ৰত্যেক দুৱাৰৰ বাবে চিঠি খেলালে। ১৪ যেতিয়া পূব দিশৰ দুৱাৰৰ
বাবে চিঠি খেলালে তেতিয়া চেলেমিয়াৰ নাম উঠিল। তেওঁৰ পুত্ৰ

জখৰিয়া ভাল পৰামৰ্শ দিওঁতা লোক আছিল, চিঠি খেলত উত্তৰ দিশৰ
বাবে তেওঁৰ নাম উঠিল। ১৫ দক্ষিণ দিশৰ দুৱাৰৰ বাবে ওবেদ-
ইদোমক নিৰ্ধাৰণ কৰে; আৰু তেওঁৰ পুত্ৰ সকলক ভঁৰালৰ বাবে
নিৰ্ধাৰন কৰে। ১৬ পশ্চিম দিশৰ দুৱাৰৰ সৈতে ওপৰলৈ উঠি যোৱা
বাটৰ চল্লেখৎ দুৱাৰো চূপ্পীম আৰু হোচাৰ নামত নিৰ্ধাৰন কৰে। প্ৰতেক
পৰিয়ালৰ কাৰণে; ৰখীয়া সকল আছিল। ১৭ পূবফালে ছয় জন লেবীয়া
লোক, উত্তৰফালে প্ৰতিদিনে চাৰি জন, দক্ষিণ ফালেও প্ৰতিদিনে চাৰি
জন, আৰু ভঁৰালত দুজন দুজন। ১৮ পশ্চিমফালৰ চোতালত চাৰি জনক
নিযুক্ত কৰে, চাৰি জন বাটত আৰু চোতালত দুজন। ১৯ এইদৰেই
দুৱৰী সকলক ভাগ কৰা হ'ল। তেওঁলোক সকলো কোৰহীয়া আৰু
মৰাৰীয়া বংশৰ পৰা অহা লোক আছিল। ২০ লেবীয়াসকলৰ ভিতৰত,
অহিয়া ঈশ্বৰৰ গৃহৰ আৰু পবিত্ৰীকৃত বস্তুৰ ভঁৰালৰ দায়িত্বত আছিল।
২১ লদ্দনৰ বংশধৰ সকল, তেওঁৰ পৰা অহা গেৰ্চোনীয়াৰ বংশধৰ
সকল, আৰু যি সকল গেৰ্চোনীয়াৰ লদ্দনৰ পৰিয়ালৰ নেতা আছিল,
তেওঁলোক যিহীয়েলী আৰু তেওঁৰ পুত্ৰ সকল। ২২ যেথম আৰু যোৱেল
তেওঁৰ ভায়েক আছিল। তেওঁলোকো যিহোৱাৰ গৃহৰ ভঁৰালৰ দায়িত্বত
আছিল। ২৩ অম্ৰমীয়া, যিচহৰীয়া, হিব্ৰোণীয়া, আৰু উজ্জীয়েলীয়াৰ
গোষ্ঠীৰ পৰাও তাত দুৱৰী আছিল। ২৪ গেৰ্চোমৰ বংশৰ মোচিৰ পুত্ৰ
চবূৱেল ভঁৰালৰ তদাৰক কৰিছিল। ২৫ তেওঁৰ সম্পৰ্কীয় লোক সকল
ইলিয়েজৰৰ গোষ্ঠীৰ পৰা আছিল আৰু চবুৱেলৰ পুত্ৰ ৰহবিয়া আছিল।
ৰহবিয়াৰ পুত্ৰ যিচয়া, যিচয়াৰ পুত্ৰ যোৰাম, যোৰামৰ পুত্ৰ জিখ্ৰী,
জিখ্ৰীৰ পুত্ৰ চলোমোৎ। ২৬ দায়ুদ ৰজা, পৰিয়ালৰ মূল লোকসকল,
সহস্ৰপতিসকল, শতপতিসকল, আৰু সেনাপতিসকলে যিবোৰ বস্তু
পবিত্ৰ কৰিছিল, সেইবোৰ চলোমোৎ আৰু তেওঁৰ সম্বন্ধীয় লোকসকলে
সেই ভঁৰালৰ তদাৰক কৰিছিল। ২৭ যিহোৱাৰ গৃহ মেৰামতি কৰিবৰ
অৰ্থে তেওঁলোকে যুদ্ধত পোৱা লূটদ্ৰব্যৰ মাজৰ অনেক বস্তু উৎসৰ্গ
কৰিছিল। ২৮ চমূৱেল ভাববাদীয়ে, কীচৰ পুত্ৰ চৌলে, নেৰৰ পুত্ৰ
অবনেৰে, আৰু চৰূয়াৰ পুত্ৰ যোৱাবে যিবিলাক বস্তু উৎসৰ্গ কৰিছিল,
এই সকলোৰ দায়িত্বত তেওঁলোক আছিল। উৎসৰ্গ কৰা সকলো বস্তু

চলোমোৎ আৰু তেওঁৰ সম্পৰ্কীয়া লোক সকলৰ নিৰাপত্তাত আছিল।
২৯ যিচহৰীয়াৰ বংশধৰ সকলৰ, কননিয়া আৰু তেওঁৰ পুত্ৰসকলক
ইস্ৰায়েলৰ সমাজৰ কৰ্মচাৰী আৰু বিচাৰকৰ্ত্তাৰ কাৰ্যৰ বাবে নিযুক্ত
কৰে। ৩০ হিব্ৰোণীয়াৰ বংশধৰসকল, হচবিয়া আৰু তেওঁৰ ভাইসকল
এক হাজাৰ সাত শ সক্ষম লোক আছিল, তেওঁলোকক যিহোৱাৰ কাৰ্য
আৰু ৰজাৰ কাৰ্যত নিযুক্ত কৰা হৈছিল। তেওঁলোক যৰ্দ্দনৰ পশ্চিমফালে
আছিল। ৩১ হিব্ৰোণীয়াৰ বংশধৰ সকলৰ পৰা যিৰিয়া তেওঁৰ বংশৰ
মূখ্য লোক আছিল। তেওঁ তেওঁলোকৰ পৰিয়ালৰ তালিকাৰ পৰা
গণনা কৰা লোক আছিল। দায়ূদৰ ৰাজত্বৰ চল্লিশ বছৰত তেওঁলোকে
লিপিৱদ্ধ কৰা নথি পত্ৰ পৰীক্ষা কৰি তেওঁলোকৰ মাজত গিলিয়দৰ
যাজেৰক দক্ষতা সম্পন্ন লোক বিচাৰি পালে। ৩২ যাজেৰকৰ দুই
হাজাৰ সাত শ সম্পৰ্কীয় লোক আছিল, যিসকল পৰিয়ালৰ সক্ষম
লোক আছিল। দায়ূদে ঈশ্বৰীয় আৰু ৰাজকীয় কাম কৰিবলৈ, ৰূবেণীয়া,
গাদীয়া, আৰু মনচিৰ আধা জাতিবোৰৰ ওপৰত তেওঁলোকক অধ্যক্ষ
পাতিলে।

২৭ সংখ্যা অনুসাৰে ইস্ৰায়েলৰ পৰিয়ালৰ মূখ্য লোকসকল,
সহস্ৰপতিসকল, শতপতিসকল, তাৰ উপৰিও সৈন্যৰ কৰ্মচাৰীসকল,
যিসকলে বিভিন্ন ধৰণে ৰজাৰ পৰিচৰ্যা কৰিছিল। সৈন্যৰ প্ৰতি
বিভাগসমূহে গোটেই বছৰ মাহৰ পাছত মাহ পৰিচৰ্যা কৰিছিল।
প্ৰতি বিভাগত চৌবিশ হাজাৰ লোক আছিল। ২ বিভাগৰ দ্বয়ীত্বত
প্ৰথম মাহৰ বাবে জব্দীয়েলৰ পুত্ৰ যাচবিয়াম আছিল। তেওঁৰ বিভাগত
চৌবিশ হাজাৰ লোক আছিল। ৩ তেওঁ পেৰচৰ বংশধৰসকলৰ মাজৰ
এজন আৰু তেওঁ প্ৰথম মাহৰ সকলো সৈন্যৰ বিষয়াসকলৰ দ্বয়ীত্বত
আছিল। ৪ দ্বিতীয় মাহৰ বিভাগৰ দ্বায়ীত্বত অহোহীয়াৰ বংশৰ গোষ্ঠীৰ
দোদয়া আছিল। মিক্লোত দ্বিতীয় পদবীত আছিল। তেওঁৰ বিভাগত
চৌবিশ হাজাৰ লোক আছিল। ৫ যিহোয়াদা পুৰোহিতৰ পুত্ৰ বনায়া
তৃতীয় মাহৰ কাৰণে সৈন্যৰ সেনাপতি আছিল। এই বিভাগত চৌবিশ
হাজাৰ লোক আছিল। ৬ এই জনেই সেই বনায়া যি জন ত্ৰিশ জনৰ
আৰু ত্ৰিশ জনৰ ওপৰত নেতা আছিল। তেওঁৰ পুত্ৰ অম্মিযাবদ তেওঁৰ

বিভাগত আছিল। ৭ যোৱাবৰ ভায়েক অচাহেল চতুৰ্থ মাহৰ কাৰণে
সেনাপতি আছিল। তেওঁৰ পুত্ৰ জবদিয়া তেওঁৰ পাছত সেনাপতি হ'ল।
তেওঁৰ বিভাগত চৌবিশ হাজাৰ লোক আছিল। ৮ যিজ্ৰাহীয়াৰ বংশধৰৰ
চমহুৎ পঞ্চম মাহৰ কাৰণে সেনাপতি আছিল। তেওঁৰ বিভাগত চৌবিশ
হাজাৰ লোক আছিল। ৯ তকোৱায়ীয়া পৰা হোৱা ইক্কেচৰ পুত্ৰ ঈৰা
ষষ্ঠ মাহৰ কাৰণে সেনাপতি আছিল। তেওঁৰ বিভাগত চৌবিশ হাজাৰ
লোক আছিল। ১০ ইফ্ৰয়িমৰ লোকসকলৰ পৰা পলোনীয়া হেলচ সপ্তম
মাহৰ কাৰণে সেনাপতি আছিল। তেওঁৰ বিভাগত চৌবিশ হাজাৰ
লোক আছিল। ১১ জেৰহৰ বংশৰ গোষ্ঠীৰ পৰা হূচাতীয়া চিব্বকয়
অষ্টম মাহৰ কাৰণে সেনাপতি আছিল। তেওঁৰ বিভাগত চৌবিশ হাজাৰ
লোক আছিল। ১২ বিন্যামীনৰ জাতিৰ পৰা অনাথোতীয়া অবীয়েজৰ
নৱম মাহৰ কাৰণে সেনাপতি আছিল। তেওঁৰ বিভাগত চৌবিশ হাজাৰ
লোক আছিল। ১৩ জেৰহৰ বংশৰ গোষ্ঠীৰ নটোফাতীয়া নগৰৰ পৰা
মহৰয় দশম মাহৰ কাৰণে সেনাপতি আছিল। তেওঁৰ বিভাগত চৌবিশ
হাজাৰ লোক আছিল। ১৪ ইফ্ৰয়িমৰ জাতিৰ পৰা পিৰাথোনীয়া নগৰৰ
বনায়া একাদশ মাহৰ কাৰণে সেনাপতি আছিল। তেওঁৰ বিভাগত
চৌবিশ হাজাৰ লোক আছিল। ১৫ অৎনীয়েলৰ বংশৰ গোষ্ঠীৰ পৰা
নটোফাতীয়া নগৰৰ হিলদয় দ্বাদশ মাহৰ কাৰণে সেনাপতি আছিল।
তেওঁৰ বিভাগত চৌবিশ হাজাৰ লোক আছিল। ১৬ এওঁলোকেই
ইস্ৰায়েল জাতিৰ নেতাসকল: ৰূবেণীয়া জাতিৰ বাবে জিখ্ৰীৰ পুত্ৰ
ইলীয়েজৰ নেতা আছিল। চিমিয়োনীয়া জাতিৰ বাবে মাখাৰ পুত্ৰ
চফটিয়া নেতা আছিল। ১৭ লেবীয়া জাতিৰ বাবে কমূৱেলৰ পুত্ৰ
হচবিয়া নেতা আছিল। আৰু হাৰোণৰ বংশধৰসকলক চাদোকে নেতৃত্ব
দিছিল। ১৮ যিহূদা জাতিৰ বাবে ইলীহূ নেতা আছিল। তেওঁ দায়ূদৰ
ভায়েকসকলৰ মাজৰ এজন। ১৯ জবূলূন জাতিৰ বাবে ওবদিয়াৰ
পুত্ৰ যিচময়া নেতা আছিল। নপ্তালীৰ বাবে অজ্ৰীয়েলৰ পুত্ৰ যিৰীমোৎ
নেতা আছিল। ২০ ইফ্ৰয়িম জাতিৰ বাবে অজজিয়াৰ পুত্ৰ হোচেয়া
নেতা আছিল। মনচিৰ আধা জাতিৰ বাবে পদায়াৰ পুত্ৰ যোৱেল নেতা
আছিল। ২১ গিলিয়দত থকা মনচিৰ আধা জাতিৰ বাবে জখৰিয়াৰ পুত্ৰ

যিদ্দো নেতা আছিল। বিন্যামীনৰ জাতিৰ বাবে অবনেৰৰ পুত্ৰ যাচীয়েল
নেতা আছিল। ২২ দানৰ জাতিৰ বাবে যিৰোহমৰ পুত্ৰ অজৰেল নেতা
আছিল। ইস্ৰায়েল জাতিৰ বাবে এওঁলোকেই নেতা আছিল। ২৩ দায়ূদে
বিশ বছৰ বা তাতকৈ ক'ম বয়সৰ লোকসকলক গণনা কৰা নাছিল,
কাৰণ যিহোৱাই ইস্ৰায়েলক আকাশৰ তৰাবোৰৰ নিচিনা অসংখ্য
কৰিবলৈ প্ৰতিজ্ঞা কৰিছিল। ২৪ চৰূয়াৰ পুত্ৰ যোৱাবে গণনা কৰিবলৈ
আৰম্ভ কৰিছিল, কিন্তু শেষ নকৰিলে। এই কাৰণে ইস্ৰায়েলৰ ওপৰত
ঈশ্বৰৰ ক্ৰোধ প্ৰজ্বলিত হৈছিল। তেওঁলোকৰ সংখ্যা দায়ুদ ৰজাৰ
বংশাৱলীত লিখা নহ'ল। ২৫ অদীয়েলৰ পুত্ৰ অজমাবৎ ৰজাৰ মূল্যৱান
সম্পদৰ দ্বয়ীত্বত আছিল। উজ্জিয়াৰ পুত্ৰ যোনাথন খেতি-পথাৰত,
নগৰবোৰত, গাওঁসমূহত, আৰু দুৰ্গবোৰত থকা গুদামৰ দ্বয়ীত্বত
আছিল। ২৬ কলূবৰ পুত্ৰ ইজ্ৰী মাটি চহোৱা খেতিয়ক সকলৰ ওপৰত
আছিল। ২৭ ৰামাথীয়া চিমিয়ী দ্ৰাক্ষাবাৰীবোৰৰ দ্বয়ীত্বত আছিল।
চিফমীয়াৰ পৰা অহা জব্দী আঙুৰৰ আৰু দ্ৰাক্ষাৰস বিক্ৰী কৰোঁতা
সকলৰ ওপৰত দ্বয়ীত্বত আছিল। ২৮ নিম্ন-ভূমিত থকা জিত গছ আৰু
ডিমৰু গছবোৰ, গদেৰীয়াৰ পৰা অহা বাল-হাননৰ দ্বয়ীত্বত আছিল আৰু
তেলৰ গুদামৰ দ্বয়ীত্বত যোৱাচ আছিল। ২৯ চাগোণৰ পৰা অহা চিত্ৰয়
চাৰোণত চৰা জন্তুৰ জাকবোৰৰ দায়িত্বত আছিল। উপত্যকাবোৰত
চৰা জন্তুৰ জাকবোৰৰ দ্বয়ীত্বত অদলয়ৰ পুত্ৰ চাফট আছিল। ৩০
উটবোৰৰ দ্বয়ীত্বত ইশ্মায়েলীয়া অবীল আছিল, আৰু গাধীবোৰৰ
দ্বায়ীত্বত মেৰোনোথীয়া যেহদিয়া আছিল। ৩১ এওঁলোক দায়ুদ ৰজাৰ
সম্পতিৰ দ্বয়ীত্বত আছিল। ৩২ দায়ূদৰ দদায়েক যোনাথন, তেওঁ এজন
পৰামৰ্শদাতা আছিল, যিহেতু তেওঁ এজন জ্ঞানী আৰু নথি সংৰক্ষক
আছিল। হকমোনীৰ পুত্ৰ যিহীয়েল ৰজাৰ পুত্ৰসকলৰ তত্বৱধানৰ
দ্বায়ীত্বত আছিল। ৩৩ অহীথোফল ৰজাৰ পৰামৰ্শদাতা আছিল, অৰ্কীয়া
লোকসকলৰ মাজৰ হূচয় ৰজাৰ ব্যক্তিগত পৰামৰ্শদাতা আছিল।
৩৪ অহীথোফলৰ পাছত বনায়াৰ পুত্ৰ যিহোয়াদা অবিয়াথৰ যোগেদি
তেওঁৰ স্থান লয়। যোৱাব ৰজাৰ সৈন্যসকলৰ সেনাপতি আছিল।

২৮ দায়ূদে যিৰূচালেমত ইস্ৰায়েলৰ সকলো কৰ্মচাৰীক এক গোট
কৰিলে: জাতিবোৰৰ কৰ্মচাৰীসকলক, সময়-সূচী অনুযায়ী ৰজাৰ
পৰিচৰ্যা কৰা বিভাগবোৰৰ কৰ্মচাৰীসকলক, সহস্ৰপতিসকলক আৰু
শতপতিসকলক, ৰজা আৰু তেওঁৰ পুত্ৰসকলৰ দখলত থকা সকলো
সম্পত্তিৰ পৰিচালকসকলক, কৰ্মচাৰী আৰু যুদ্ধাৰু লোকসকলক,
তেওঁলোকৰ মাজৰ সকলোতকৈ নিপূণ লোকসকলক যিৰূচালেমত
এক গোট কৰিলে। ২ তাৰ পাছত ৰজা দায়ূদে থিয় হৈ ক'লে, "হে
মোৰ ভাইসকল আৰু মোৰ লোক সমূহ, মোৰ কথা শুনা; যিহোৱাৰ
নিয়ম-চন্দুকৰ অৰ্থে আৰু আমাৰ ঈশ্বৰৰ ভৰি-পীৰাৰ অৰ্থে এটা মন্দিৰ
নিৰ্ম্মাণ কৰিবলৈ মোৰ পৰিকল্পনা আছিল। এই গৃহ নিৰ্ম্মাণৰ বাবে মই
প্ৰস্তুতো হৈছিলো। ৩ কিন্তু ঈশ্বৰে মোক ক'লে, 'মোৰ নামৰ অৰ্থে তুমি
মন্দিৰ নিৰ্ম্মাণ নকৰিবা, কাৰণ তুমি এজন যুদ্ধৰু আৰু তুমি ৰক্তপাত
কৰিলা।' ৪ তথাপি যিহোৱাই, ইস্ৰায়েলৰ ঈশ্বৰে; ইস্ৰায়েলৰ ওপৰত
সদায় ৰাজত্ব কৰিবৰ বাবে মোৰ আটাই পিতৃপৰিয়ালৰ মাজৰ পৰা
মোক মনোনীত কৰিলে। তেওঁ নেতৃত্ব দিবৰ বাবে যিহূদা জাতিক
মনোনীত কৰিলে। যিহূদাৰ জাতি, মোৰ পিতৃৰ পৰিয়ালবৰ্গ আৰু
মোৰ পিতৃৰ সকলো পুত্ৰৰ মাজৰ পৰা তেওঁ মোক গোটেই ইস্ৰায়েলৰ
ওপৰত ৰজা হ'বলৈ মনোনীত কৰিলে। ৫ যিহোৱাই মোক দিয়া
অনেক পুত্ৰৰ মাজত ইস্ৰায়েলৰ ওপৰত যিহোৱাৰ ৰাজসিংহাসনত
বহিবলৈ তেওঁ মোৰ পুত্ৰ চলোমনক মনোনীত কৰিলে। ৬ তেওঁ মোক
ক'লে, 'তোমাৰ পুত্ৰ চলোমনে মোৰ গৃহ আৰু চোতাল কেইখন নিৰ্ম্মাণ
কৰিব, কাৰণ মোৰ পুত্ৰ হ'বলৈ মই তেওঁক মনোনীত কৰিলোঁ, আৰু
মই তেওঁৰ পিতৃ হ'ম। ৭ আজি তুমি যি দৰে আছা যদি তেওঁ সেই দৰে
মোৰ আজ্ঞাবোৰ আৰু শাসন-প্ৰণালীবোৰ পালন কৰি চলে, তেনেহলে
মই তেওঁৰ ৰাজ্য চিৰস্থায়ীৰূপে স্থাপন কৰিম। ৮ এই হেতুকে এতিয়া
ইস্ৰায়েলৰ সাক্ষাতে যিহোৱাৰ উদ্দেশে সমবেত হোৱা আৰু আমাৰ
ঈশ্বৰৰ উপস্থিতিত ঈশ্বৰ যিহোৱাৰ সকলো আজ্ঞা পালন কৰিবলৈ
তোমালোক সকলোৱে চেষ্টা কৰা। এই উত্তম দেশৰ অধিকাৰী হবলৈ
আৰু তোমালোকৰ পাছত চিৰকালৰ বাবে পুৰুষানুক্ৰমে তোমালোকৰ

সন্তান সকলৰ অধিকাৰত যেন থাকে তাৰ কাৰণে এই সকলো কৰা।
৯ হে বোপা চলোমন, তুমি তোমাৰ পিতৃৰ ঈশ্বৰক মানি চলিবা,
আৰু তোমাৰ সকলো হৃদয়েৰ আৰু হৰ্ষিত মনেৰে তেওঁৰ পৰিচৰ্যা
কৰিবা। এই দৰে কৰা কাৰণ যিহোৱাই সকলোৰে হৃদয় অনুসন্ধান
কৰে আৰু সকলোৰে কল্পনাকো বুজে। তুমি যদি তেওঁক বিচাৰা,
তেন্তে তুমি তেওঁক পাবা, কিন্তু যদি তেওঁক ত্যাগ কৰা, তেন্তে তেওঁ
তোমাকো চিৰকাললৈকে ত্যাগ কৰিব। ১০ পবিত্ৰ-স্থানৰ অৰ্থে মন্দিৰ
নিৰ্ম্মাণ কৰিবলৈ যিহোৱাই যে, তোমাক মনোনীত কৰিলে তাক তুমি
অনুভৱ কৰা; সাহিয়াল হোৱা আৰু এই কাৰ্য কৰা। ১১ তাৰ পাছত
দায়ূদে তেওঁৰ পুত্ৰ চলোমনক মন্দিৰৰ বাৰাণ্ডাৰ, মন্দিৰৰ ঘৰবোৰৰ,
গুদামবোৰৰ, ওপৰৰ কোঁঠালিবোৰৰ, ভিতৰৰ কোঁঠালিবোৰৰ, আৰু
পাপ-প্ৰায়শ্চিতৰ আৱৰণৰ নক্সা দিলে। ১২ যিহোৱাৰ গৃহৰ চোতাল
কেইখনৰ, চাৰিওফালে থকা সকলো কোঁঠালিবোৰৰ, ঈশ্বৰৰ গৃহত
থকা গুদামবোৰৰ, আৰু মন্দিৰৰ বাবে পবিত্ৰ কৰা বস্তুৰ ভঁৰালবোৰৰ
বাবে তেওঁ অঙ্কন কৰা নক্সা তেওঁ চলোমনক দিলে। ১৩ তেওঁ তেওঁক
পুৰোহিতসকলৰ আৰু লেবীয়াসকলৰ বিভাগসমূহৰ বাবে বিধি দিলে
আৰু যিহোৱাৰ গৃহৰ পৰিচৰ্যাৰ কাৰ্য আৰু যিহোৱাৰ গৃহৰ পৰিচৰ্যাৰ
বাবে ব্যৱহাৰ হোৱা সামগ্ৰী সমূহৰ দায়িত্বত নিযুক্ত কৰিলে। ১৪
তেওঁ সকলো প্ৰকাৰৰ পৰিচৰ্যাৰ বাবে সোণৰ পাত্ৰবোৰ আৰু সকলো
প্ৰকাৰৰ পৰিচৰ্যাৰত ব্যৱহাৰ হোৱা সামগ্ৰীৰ বাবে ৰূপৰ পাত্ৰবোৰ
গুৰুত্ব সহকাৰে তেওঁক দিলে। ১৫ সোণৰ দীপাধাৰবোৰৰ আৰু তাৰ
প্ৰদীপবোৰৰ প্ৰত্যেক দীপাধাৰ আৰু তাৰ প্ৰদীপবোৰৰ সোণৰ পৰিমান
অনুসাৰে জুখি দিলে। ৰূপৰ দীপাধাৰবোৰৰ আৰু প্ৰদীপবোৰৰ প্ৰত্যেক
দীপাধাৰ আৰু তাৰ প্ৰদীপবোৰৰ ৰূপৰ পৰিমান অনুসাৰে জুখি দিলে।
যাতে প্ৰত্যেক দীপাধাৰবোৰৰ উপযুক্ত ব্যৱহাৰ হয়। ১৬ দৰ্শন-পিঠাৰ
মেজ, আৰু প্ৰত্যক মেজৰ বাবে সোণৰ পৰিমাণ, আৰু ৰূপৰ মেজবোৰৰ
বাবে ৰূপৰ পৰিমাণ তেওঁ জুখি দিলে। ১৭ তেওঁ যাঠী, তেজ ছটিওৱা
চৰিয়া, আৰু পিয়লাবোৰৰ বাবে শুদ্ধ সোণৰ পৰিমাণ জুখি দিলে।
তেওঁ প্ৰত্যেক সোণৰ বাটিবোৰৰ আৰু প্ৰত্যেক ৰূপৰ বাটিবোৰৰ বাবে

সোণৰ আৰু ৰূপৰ পৰিমাণ জুখি দিলে। ১৮ ধূপ-বেদিৰ বাবে নির্ম্মল
সোণৰ পৰিমাণ, আৰু ডেউকা মেলি যিহোৱাৰ নিয়ম-চন্দুক ঢাকি ধৰা
কৰূব দুটাৰ নক্সাৰ কাৰণে সোণৰ পৰিমাণ জুখি দিলে। ১৯ দায়ূদে
ক'লে, "নমুনাৰ বিষয়ে বুজিব পৰাকৈ যিহোৱাই মোক নির্দেশ দিয়া
অনুযায়ী মই এই সকলো লিখিত ভাৱে ৰাখিলোঁ। ২০ দায়ূদে তেওঁৰ
পুত্র চলোমনক ক'লে, "তুমি বলৱান আৰু সাহিয়াল হোৱা। এই কার্য
কৰা। ভয় নকৰিবা আৰু ব্যাকুল নহ'বা, কিয়নো ঈশ্বৰ যিহোৱা, মোৰ
ঈশ্বৰেই তোমাৰ লগত আছে। যিহোৱাৰ গৃহৰ সকলো কার্য সমাপ্ত
নোহোৱালৈকে তেওঁ তোমাক পৰিত্যাগ নকৰিব। ২১ চোৱা, ইয়াত
ঈশ্বৰৰ গৃহৰ সকলো কার্যৰ বাবে পুৰোহিতসকল আৰু লেবীয়াসকলৰ
বিভাগসমূহ আছে। তেওঁলোক তোমাৰ লগত থাকিব, এই কার্যৰ অর্থে
ইচ্ছা থকা সকলো লোক আৰু নিপূণ লোকসকলে তোমাক সকলো কার্য
কৰিবলৈ আৰু পৰিচর্যা কৰিবলৈ সহায় কৰিব। তোমাৰ আদেশবোৰ
অনুসৰণ কৰিবলৈ সকলো কর্মচাৰী আৰু সকলো লোক প্রস্তুত।

**২৯** দায়ুদ ৰজাই গোটেই সমাজক ক'লে, "ঈশ্বৰে মোৰ পুত্র
চলোমনক মনোনীত কৰিছে, তাৰ বয়স এতিয়াও ক'ম আৰু
অভিজ্ঞতাহীন, আৰু এই কার্য অতি গুৰুত্বপূর্ণ। কাৰণ এই ৰাজপ্রসাদ
ঈশ্বৰ যিহোৱাৰ উদ্দেশ্যে মানুহৰ বাবে নহয়। ২ মোৰ ঈশ্বৰৰ মন্দিৰৰ
অর্থে যি উত্তম, সেয়ে মই কৰিলোঁ। সোণৰ বস্তু প্রস্তুত কৰিবলৈ সোণ,
ৰূপৰ বস্তু প্রস্তুত কৰিবলৈ ৰূপ, পিতলৰ বস্তু প্রস্তুত কৰিবলৈ পিতল,
লোহাৰ বস্তু প্রস্তুত কৰিবলৈ লোহা, কাঠৰ বস্তু প্রস্তুত কৰিবলৈ কাঠ মই
দিছোঁ। ৰক্তবৰ্ণ পাথৰ, লগাবৰ কাৰণে পাথৰ, মণি-মুকুতাৰ কামৰ
বাবে নানা বৰণীয়া পাথৰ, সকলো বিধৰ বহুমূলীয়া পাথৰ আৰু মার্বল
পাথৰো মই প্রচুৰ পৰিমাণে দিছোঁ। ৩ মোৰ ঈশ্বৰৰ গৃহৰ কাৰণে
মই আনন্দিত হ'লো, আৰু মোৰ ব্যক্তিগত ভঁৰালৰ পৰা সোণ, ৰূপ
ইয়াৰ বাবে দান দিছোঁ। ইয়াৰ উপৰিও পবিত্র মন্দিৰৰ কাৰণে মই
সকলো কৰিবলৈ প্রস্তুত। ৪ তিনি হাজাৰ কিক্কৰ ওফীৰৰ সোণ, আৰু
সাত হাজাৰ কিক্কৰ শুদ্ধ ৰূপ গৃহৰ দেৱালত আৱৰণ দিবলৈ দিলোঁ।
৫ সোণৰ বস্তু প্রস্তুত কৰিবলৈ সোণ, ৰূপৰ বস্তু প্রস্তুত কৰিবলৈ ৰূপ,

আৰু শিল্পকৰ্ম কৰোঁতা সকলে কৰা সকলো ধৰণৰ কামৰ কাৰণে
মই সকলো বস্তু দান কৰিলোঁ। আজি কোনে যিহোৱালৈ বৰঙণি দিব
আৰু নিজকে তেওঁলৈ উৎসৰ্গ কৰিব? ৬ তাৰ পাছত তেওঁলোকৰ
পৰিয়ালৰ পূৰ্ব-পুৰুষৰ প্ৰধান লোকসকল, ইস্রায়েল জাতিৰ প্ৰধান
লোকসকল, সহস্রপতিসকল, শতপতিসকল, লগতে ৰজাৰ কাৰ্যত
থকা কৰ্মচাৰীসকল একেলগে ইচ্ছাকৃত দান দিলে। ৭ তেওঁলোকে
ঈশ্বৰৰ গৃহৰ কাৰ্য কাৰণে পাঁচ হাজাৰ কিক্কৰ সোণ, অদৰ্কোণ নামেৰে
দহ হাজাৰ সোণৰ মোহৰ, দহ হাজাৰ কিক্কৰ ৰূপ, ওঠৰ হাজাৰ কিক্কৰ
ৰূপ পিতল, আৰু এক লাখ কিক্কৰ লোহা দিলে। ৮ যিসকলৰ বহুমুলীয়া
বাখৰ আছিল, তেওঁলোকে গেৰ্চোনীয়াৰ বংশধৰ যিহীয়েলৰ নিৰীক্ষণত
যিহোৱাৰ গৃহৰ ভঁৰালত তাক দিলে। ৯ তেওঁলোকে নিজ ইচ্ছাৰে আৰু
সকলো হৃদয়েৰে যিহোৱাৰ উদ্দেশ্যে দান দিয়াৰ কাৰণে প্ৰজাসকলে
আনন্দ কৰিলে। ৰজা দায়ূদেও মহা-আনন্দ কৰিলে। ১০ দায়ূদে
গোটেই সমাজৰ আগতে যিহোৱাৰ ধন্যবাদ কৰিলে। দায়ূদে ক'লে, “হে
আমাৰ পিতৃ ইস্রায়েলৰ ঈশ্বৰ যিহোৱা আপুনি যুগে যুগে চিৰকাললৈকে
ধন্য। ১১ হে যিহোৱা, আপুনি মহত্ব, পৰাক্ৰমী, প্ৰশংসনীয়, বিজয়ী,
আৰু প্ৰতাপী। কাৰণ স্বৰ্গত আৰু পৃথিৱীত যি যি আছে, সেই সকলোৰেই
আপোনাৰ। ৰাজ্যও আপোনাৰেই, আৰু চাৰিও দিশে শাসনকৰ্তা ৰূপে
যিহোৱা আৰু আপুনি মৰ্য্যদাপূৰ্ণ। ১২ আপোনাৰ পৰাই ধন আৰু গৌৰৱ
হয়, আৰু আপুনি সকলোৰে ওপৰত শাসন কৰি আছে। আপোনাৰ
হাততেই বল আৰু পৰাক্ৰম আছে। সকলোকে মহত্ব ও শক্তিশালী
কৰিবৰ কাৰণে আপোনাৰ অধিকাৰ আছে। ১৩ সেয়ে, হে আমাৰ
ঈশ্বৰ, আমি আপোনাৰ ধন্যবাদ কৰোঁ, আৰু আপোনাৰ নামৰ গৌৰৱ
ও প্ৰশংসা কৰোঁ। ১৪ কিন্তু মই নো কোন, আৰু মোৰ লোকসকল
নো কোন, যে, আমি এইদৰে নিজ ইচ্ছাৰে দান দিবলৈ আগবাঢ়িব
পাৰিছোঁ? কিয়নো সকলো বস্তু আপোনাৰ পৰাই আহে, আৰু আপোনাৰ
যি তাকে আমি অনন্দমনেৰে আপোনাক দিছোঁ। ১৫ কাৰণ আমাৰ
সকলো পূৰ্ব-পুৰুষ সকলৰ দৰে আমিও আপোনাৰ আগত অচিনাকি
আৰু ভ্ৰমণকাৰী লোক। পৃথিৱীত আমাৰ দিনবোৰ ছাঁ স্বৰূপ আৰু এই

পৃথিৱীত আমাৰ একো আশা নাই। ১৬ হে আমাৰ ঈশ্বৰ যিহোৱা,
আপোনাৰ, পবিত্ৰ নামৰ উদ্দেশে আপোনাৰ গৃহ নিৰ্ম্মাণ কৰিবলৈ আমি
এই যি সকলো সম্পতি সংগ্ৰহ কৰিলোঁ, এই সকলো আপোনাৰেই আৰু
আপোনাৰ পৰাই অহা। ১৭ হে মোৰ ঈশ্বৰ, মই এইয়াও জানো যে,
আপুনি হৃদয়ৰো পৰীক্ষা কৰে আৰু সৰলতাত সন্তোষ পায়। মই হ'লে
মোৰ মনৰ সৰলতাতহে নিজ ইচ্ছাৰে এই সকলো বস্তু দান দিলোঁ,
আৰু এতিয়া এই ঠাইত উপস্থিত হোৱা আপোনাৰ লোকসকলেও নিজ
ইচ্ছাৰে আপোনাৰ উদ্দেশে দান দিয়া দেখি মই আনন্দিত হৈছোঁ।
১৮ আমাৰ পূৰ্ব-পুৰুষ অব্ৰাহাম, ইচহাক, ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱা,
আপুনি আপোনাৰ লোকসকলৰ মনত এই চিন্তাধাৰা সদায় ৰাখক।
তেওঁলোকৰ হৃদয় আপোনাতেই মনোনিবেশ কৰক। ১৯ আপোনাৰ
আজ্ঞা, সাক্ষ্য, আৰু বিধিবোৰ সম্পূৰ্ণ হৃদয়েৰে পালন কৰিবলৈ, আৰু
এই সকলো কাৰ্য কৰিবলৈ, আৰু মই যি গৃহৰ বাবে ব্যৱস্থা কৰি থৈছোঁ,
তাক নিৰ্মাণ কৰিবলৈ মোৰ পুত্ৰ চলোমনক সিদ্ধ মন দিয়ক।" ২০
দায়ূদে গোটেই সমাজক ক'লে, "এতিয়া তোমালোকে নিজৰ ঈশ্বৰ
যিহোৱাৰ ধন্যবাদ কৰা।" গোটেই সমাজে তেওঁলোকৰ পূৰ্ব-পুৰুষৰ
ঈশ্বৰ যিহোৱাৰ ধন্যবাদ কৰিলে, আৰু মুৰ দোঁৱাই যিহোৱাৰ প্ৰশংসা
কৰিলে আৰু ৰজাৰ আগত প্ৰণিপাত কৰিলে। ২১ তাৰ পাছ দিনা
তেওঁলোকে যিহোৱাৰ উদ্দেশ্যে বলিদান কৰিলে, আৰু যিহোৱাৰ
উদ্দেশ্যে হোম-বলি উৎসৰ্গ কৰিলে। তেওঁলোকে এক হাজাৰ ষাঁড়-
গৰু, এক হাজাৰ মতা মেৰ-ছাগ, আৰু এক হাজাৰ মেৰ-ছাগ পোৱালি,
আৰু ইয়াৰে সৈতে গোটেই ইস্ৰায়েলৰ কাৰণে পেয় নৈবেদ্য আৰু
বলিদান উৎসৰ্গ কৰিলে। ২২ সেই দিনা অতি আনন্দেৰে যিহোৱাৰ
আগত ভোজন-পান কৰিলে। তেওঁলোকে দায়ূদৰ পুত্ৰ চলোমনক
দ্বিতীয়বাৰ ৰজা পাতিলে; আৰু যিহোৱাৰ উদ্দেশ্যে শাসনকৰ্তা হবলৈ
তেওঁ অভিষেক কৰিলে। তেওঁলোকে পুৰোহিত হবলৈ চাদোককো
যিহোৱাৰ উদ্দেশ্যে অভিষেক কৰিলে। ২৩ তাৰ পাছত চলোমন তেওঁৰ
পিতৃ দায়ুদৰ পৰিৱৰ্তে ৰজাহৈ যিহোৱাৰ সিংহাসনত বহিল। তেওঁ
কৃতকাৰ্য্য হ'ল, আৰু গোটেই ইস্ৰায়েলে তেওঁৰ আজ্ঞা মানিলে। ২৪

সকলো নেতাসকল, সৈন্যসকল, আৰু দায়ুদ ৰজাৰ পুত্ৰসকল চলোমন
ৰজাৰ অধীন হ’ল। ২৫ যিহোৱাই সকলো ইস্ৰায়েলৰ আগত চলোমনক
সন্মান প্ৰদান কৰিলে আৰু যিহোৱাই তেওঁক যি ক্ষমতা দিলে, তেনে
ক্ষমতা তেওঁৰ পূৰ্বে ইস্ৰায়েলৰ কোনো ৰজাক দিয়া নাছিল। ২৬ যিচয়ৰ
পুত্ৰ দায়ূদে সকলো ইস্ৰায়েলৰ ওপৰত ৰাজত্ব কৰিছিল। ২৭ তেওঁ
চল্লিশ বছৰ ইস্ৰায়েলৰ ৰজা আছিল। তেওঁ সাত বছৰ হিব্ৰোণত আৰু
তেত্ৰিশ বছৰ যিৰূচালেমত ৰাজত্ব কৰিছিল। ২৮ তেওঁ সম্পূৰ্ণ বয়স
পায়, দীঘলীয়া জীৱন সা-সম্পতি আৰু সন্মান উপভোগ কৰি বৃদ্ধ
অৱস্থাত তেওঁৰ মৃত্যু হয়। তেওঁৰ পুত্ৰ চলোমন তেওঁৰ পদত ৰজা
হ’ল। ২৯ দায়ুদ ৰজাই তেওঁৰ জীৱনত কৰা সকলো কাৰ্য ভাববাদী
চমূৱেল, ভাববাদী নাথন আৰু ভাববাদী গাদৰ ইতিহাস-পুস্তকসমূহত
বৰ্ণনা কৰা হৈছে। ৩০ এই পুস্তকসমূহত ইস্ৰায়েলক ৰাজত্ব কৰা
সময়ত দায়ূদে যিবোৰ কাৰ্য কৰিছিল, সেই সকলো ইয়াতে উল্লেখ
আছে। লিখকসকলে ইস্ৰায়েল আৰু তাৰ ওচৰ চুবুৰীয়া ৰাজ্যৰ, দায়ূদৰ
ক্ষমতা আৰু তেওঁৰ জীৱনৰ সকলো ঘটনা লিখিলে।

# ২ বংশাবলি

১ দায়ুদৰ পুত্ৰ চলোমনে তেওঁৰ ৰাজ্যত নিজকে বলৱান কৰিলে;
আৰু তেওঁৰ ঈশ্বৰ যিহোৱাই তেওঁৰ লগত থাকি, তেওঁক অতিশয়
প্ৰভাৱশালী কৰিলে। ২ পাছত চলোমনে গোটেই ইস্ৰায়েলৰ সহস্ৰপতি,
শতপতি, বিচাৰকৰ্তাসকলক আৰু সমূহ ইস্ৰায়েলৰ মাজত থকা
প্ৰতিজন মূখ্যলোকৰ সৈতে কথা ক'লে। ৩ পাছত চলোমন আৰু তেওঁৰ
লগত থকা গোটেই সমাজ গিবিয়োনৰ ওখ ঠাইখনলৈ গ'ল; কিয়নো
যিহোৱাৰ দাস মোচিয়ে মৰুপ্ৰান্তত নিৰ্ম্মাণ কৰা ঈশ্বৰীয় সাক্ষাৎ কৰা
তম্বু সেই ঠাইতে আছিল। ৪ কিন্তু দায়ুদে কিৰিয়ৎ-যিয়াৰীমৰ পৰা
যিহোৱাৰ সেই নিয়ম-চন্দুক সেই ঠাইলৈ আনিছিল যি ঠাই তাৰ বাবে
যুগুত কৰি থোৱা হৈছিল, কিয়নো তেওঁ তাৰ কাৰণে যিৰূচালেমত এটা
তম্বু তৰি ৰাখিছিল। ৫ আৰু হূৰৰ নাতিয়েক উৰীৰ পুত্ৰ বচলেলে নিৰ্ম্মাণ
কৰা পিতলৰ যজ্ঞবেদীটো গিবিয়োনত যিহোৱাৰ আবাসৰ আগত
আছিল; তাৰ ওচৰলৈকে চলোমন আৰু সমাজে সঘনে কথা সুধিবলৈ
যায়। ৬ পাছত চলোমনে তালৈ উঠি গৈ, সাক্ষাৎ কৰা তম্বুৰ ওচৰত
থকা পিতলৰ যজ্ঞবেদীটোৰ ওপৰত যিহোৱাৰ আগত এক হাজাৰ
হোম-বলি উৎসৰ্গ কৰিলে। ৭ সেই ৰাতিয়েই ঈশ্বৰে চলোমনক দৰ্শন
দি ক'লে, “মই তোমাক কি বৰ দিম, তাক খোজা?” ৮ তাতে চলোমনে
ঈশ্বৰক ক'লে, “তুমি মোৰ পিতৃ দায়ূদক মহা অনুগ্ৰহ কৰিলা, আনকি
তেওঁৰ পদত মোক ৰজা পাতিলা। ৯ এতিয়া হে ঈশ্বৰ যিহোৱা, তুমি
মোৰ পিতৃ দায়ূদৰ আগত কোৱা বাক্য সিদ্ধ হওঁক, কিয়নো তুমি মাটিৰ
ধূলিৰ নিচিনা অসংখ্য লোক সকলৰ ওপৰত মোক ৰজা পাতিলা৷ ১০
এতিয়া মই যেন এই লোকসকলক চলাব পাৰোঁ, এই কাৰণে তুমি
মোক বুদ্ধি আৰু জ্ঞান দিয়া; কিয়নো তোমাৰ এই মহা জাতিৰ বিচাৰ
কৰা কাৰ সাধ্য?” ১১ তেতিয়া ঈশ্বৰে চলোমনক ক'লে, “এয়ে তোমাৰ
মনত হৈছে, যে, তুমি কি ঐশ্বৰ্য্য, কি সম্পত্তি, কি মৰ্য্যদা, যিসকলে
তোমাক ঘিণ কৰে, তেওঁলোকৰ প্ৰাণ নুখুজিলা আৰু দীৰ্ঘায়ুও নুখুজিলা,
কিন্তু মই যাৰ ওপৰত তোমাক ৰজা পাতিলোঁ, মোৰ এই প্ৰজাসকলক
শাসন কৰিবৰ অৰ্থে বুদ্ধি আৰু জ্ঞান খুজিলা। ১২ এই হেতুকে সেই

বুদ্ধি আৰু জ্ঞান তোমাক দিয়া হৈছে; আৰু তোমাৰ পূৰ্বতে কোনো
ৰজাৰ যেনে ধন, ঐশ্বৰ্য্য আৰু সন্মান হোৱা নাই আৰু তোমাৰ পাছতো
নহ'ব, তেনে ধন, ঐশ্বৰ্য্য, আৰু সন্মানো মই তোমাক দিম।" ১৩ পাছে
চলোমনে গিবিয়োনৰ ওখ ঠাইত থকা সাক্ষাৎ কৰা তম্বুৰ আগৰ পৰা
যিৰূচালেমলৈ আহিল আৰু ইস্ৰায়েলৰ ওপৰত ৰাজত্ব কৰি থাকিল। ১৪
পাছে চলোমনে ৰথ আৰু অশ্বাৰোহী লোকসকলক গোটালে: তেওঁৰ
এক হাজাৰ চাৰিশ ৰথ আৰু বাৰ হাজাৰ অশ্বাৰোহী আছিল; তেওঁ
সিহঁতক নানা ৰথ-নগৰত আৰু আনকি ৰজাৰ লগত যিৰূচালেমতো
ৰাখিলে। ১৫ ৰজাই যিৰূচালেমত ৰূপ আৰু সোণক শিলৰ নিচিনা আৰু
এৰচ কাঠক নিম্ন-ভূমিত থকা ডিমৰু গছৰ নিচিনা অধিক কৰিলে। ১৬
আৰু চলোমনৰ যি ঘোঁৰাবোৰ আছিল, সেই ঘোঁৰাবোৰ মিচৰৰ পৰা
অনা; আৰু সেই ঘোঁৰাবোৰ ৰজা-ঘৰীয়া বেপাৰীহঁতে মূল্য দি জাকে
জাকে আনে। ১৭ আৰু মিচৰৰ পৰা কিনি অনা এখন এখন ৰথৰ দাম
ছশ চেকল ৰূপ আৰু এটা এটা ঘোঁৰাৰ দাম এশ পঞ্চাশ চেকল ৰূপ।
এইদৰে তেওঁলোকৰ দ্বাৰাই হিত্তীয়া আৰু অৰামীয়া সকলো ৰজাৰ
কাৰণেও সেইবোৰ অনা হয়।

২ পাছত চলোমনে যিহোৱাৰ নামেৰে এটা গৃহ আৰু নিজৰ বাবে
এটা ৰাজগৃহ নিৰ্ম্মাণ কৰিবলৈ থিৰ কৰিলে। ২ তেওঁ বোজা ববৰ
বাবে সত্তৰ হাজাৰ লোক আৰু পৰ্বতত কাঠ কাটিবলৈ আশী হাজাৰ
লোকক নিয়োগ কৰিলে আৰু তেওঁলোকৰ কাম তদাৰক কৰিবলৈ
তিনি হাজাৰ ছশ লোকক নিযুক্ত কৰিলে। ৩ তেতিয়া চলোমনে তূৰৰ
ৰজা হীৰমৰ ওচৰলৈ কৈ পঠিয়ালে বোলে, "যে বাস কৰিবলৈ এটা
গৃহ নিৰ্ম্মাণ কৰোঁতে যিদৰে মোৰ পিতৃ দায়ূদলৈ এৰচ কাঠ পঠিয়াই
আপুনি সহায় কৰিছিল, সেইদৰে মোলৈকো কৰক। ৪ চাওঁক, মই
মোৰ ঈশ্বৰ যিহোৱাৰ নামেৰে এটা গৃহ নিৰ্ম্মাণ কৰিব খুজিছোঁ; তেওঁৰ
আগত সু-গন্ধি ধূপ জ্বলাবলৈ, নৃত্য দৰ্শন-পিঠা দিবলৈ আৰু প্ৰতি
ৰাতিপুৱা ও সন্ধিয়া কালত, বিশ্ৰামবাৰত, ন-জোনত আৰু আমাৰ ঈশ্বৰ
যিহোৱাৰ সকলো উৎসৱত হোম-বলি উৎসৰ্গ কৰিবলৈ তাক পবিত্ৰ
কৰিম৷ সেয়ে ইস্ৰায়েলে সদায় কৰিব লগা কাৰ্য। ৫ আৰু মই যি গৃহ

নিৰ্ম্মাণ কৰিব খুজিছোঁ, সেয়ে অতি বৃহৎ হ'ব, কিয়নো আমাৰ ঈশ্বৰ
আন সকলো দেৱতাবোৰতকৈ মহান। ৬ কিন্তু যি স্থলত বিশ্বব্ৰহ্মাণ্ডত
আৰু স্বৰ্গৰো স্বৰ্গই তেওঁক ধাৰণ কৰিব নোৱাৰে, এনে স্থলত, কোনে
তেওঁৰ বাবে এটা গৃহ নিৰ্ম্মাণ কৰিব পাৰিব? কেৱল তেওঁৰ আগত ধূপ
জ্বলোৱা উদ্দেশ্যৰ বাহিৰে, মই কোন, যে তেওঁৰ বাবে গৃহ নিৰ্ম্মাণ
কৰিব পাৰোঁ? ৭ এই হেতুকে এনে এজন নিপূণ লোক পঠিয়াই দিয়ক,
যিজনে সোণ, ৰূপ, পিতল, লোহা আৰু বেঙেনা বৰণীয়া, সেন্দুৰ
বৰণীয়া ও নীল বৰণীয়া সূতাৰে বন কৰাত আৰু নানাবিধ বাখৰ
কটাত পাকৈত৷ যিহূদাত আৰু যিৰূচালেমত মোৰ পিতৃ দায়ূদে যোগান
ধৰাৰ দৰে, তেওঁ মোৰ সৈতে থকা এই নিপূণ লোকসকলৰ লগত
কাম কৰিব। ৮ আৰু এৰচ, দেবদাৰু আৰু অলগূম কাঠ এইবিলাকো
লিবানোনৰ পৰা মোৰ ইয়ালৈ পঠিয়াই দিয়ক; কিয়নো মই জানো, যে
আপোনাৰ দাসবোৰ লিবানোনত কাঠ কটাত নিপূণ৷ চাওঁক, মোৰ
দাসবোৰ আপোনাৰ দাসবোৰৰ লগত থাকিব, ৯ যাতে তেওঁলোকে
মোৰ অৰ্থে প্ৰচুৰ পৰিমাণে কাঠ যুগুত কৰিব পাৰিব; কিয়নো মই যি
গৃহ নিৰ্ম্মাণ কৰিব খুজিছোঁ, সেয়ে মহৎ আৰু আশ্চৰ্যজনক হ'ব। ১০
আৰু চাওঁক, মই আপোনাৰ দাসবোৰলৈ যি সকল কাঠকটীয়া পঠালোঁ,
তেওঁলোকৰ বাবে বিশ হাজাৰ পৰিমাণৰ মৰা ঘেঁহু ধান, বিশ হাজাৰ
পৰিমাণৰ মৰা যৱ, বিশ হাজাৰ বাৰ স্নান কৰিব পৰা জোখৰ দ্ৰাক্ষাৰস
আৰু বিশ হাজাৰ বাৰ স্নান কৰিব পৰা জোখৰ তেল পঠাই দিম।" ১১
তেতিয়া তূৰৰ ৰজা হীৰমে চলোমনলৈ এই উত্তৰ লিখি পঠিয়ালে,
"যিহোৱাই তেওঁৰ নিজ প্ৰজাসকলক প্ৰেম কৰে, সেই বাবে তেওঁ
তেওঁলোকৰ ওপৰত আপোনাক ৰজা পাতিলে।" ১২ হীৰমে পুনৰ
ক'লে, "ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱা ধন্য হওঁক, যিজনে আকাশ-মণ্ডল
আৰু পৃথিৱী সৃষ্টি কৰিলে আৰু যিজনে যিহোৱাৰ উদ্দেশ্যে এটা গৃহ আৰু
নিজৰ বাবে এটা ৰাজ গৃহ সাজিব, এনে দূৰদৰ্শী আৰু বুদ্ধিমান জ্ঞানী
পুত্ৰ তেওঁ দায়ুদ ৰজাক দিলে। ১৩ আৰু মই এতিয়া হীৰমৰ নিপুণ আৰু
ভাল বেয়া বিচাৰ কৰিব পৰা এজন প্ৰতিভাসম্পন্ন লোক পঠিয়াইছোঁ,
১৪ তেওঁ দান বংশৰ এগৰাকী মহিলাৰ পুত্ৰ৷ তেওঁৰ পিতৃ তূৰীয়াৰ

মানুহ আছিল৷ তেওঁ সোণ, ৰূপ, পিতল, লোহা, শিল, কাঠ আৰু বেঙেনা
বৰণীয়া ও নীল বৰণীয়া সূতা, মিহি শণ সূতা আৰু সেন্দুৰ বৰণীয়া
সূতাৰ কাম কৰাত নিপূণ৷ আৰু তেওঁ সকলো বিধৰ বাখৰ কটাত
আৰু সকলো ৰূপাংকন কৰা কাৰ্যত তেওঁ নিপূণ। তেওঁক আপোনাৰ
নিপুণ কৰ্মীসকলৰ লগত আৰু মোৰ প্ৰভু, আপোনাৰ পিতৃ দায়ূদৰ
জ্ঞানী লোকসকলৰ লগত ঠাই দিয়া হওঁক। ১৫ এই হেতুকে মোৰ
প্ৰভুৱে কোৱাৰ দৰে, ঘেঁহু, যৱ, তেল আৰু দ্ৰাক্ষাৰস, তেওঁ আপোনাৰ
এই দাসবোৰৰ ওচৰলৈ পঠিয়াই দিয়ক৷ ১৬ যিমান কাঠ আপোনাৰ
প্ৰয়োজন হ'ব, সিমান কাঠ আমি লিবানোনত কাটি ল'ম৷ আৰু আমি
ভুৰ বান্ধি সমুদ্ৰ-পথেদি গৈ যাফোত এইবোৰ আপোনাৰ ওচৰত থৈ
আহিম, তাৰ পৰা আপুনি সেইবোৰ যিৰূচালেমলৈ লৈ যাব।" ১৭ আৰু
চলোমনে তেওঁৰ পিতৃ দায়ূদে গণনা কৰাৰ দৰে ইস্ৰায়েল দেশত
প্ৰবাস কৰা বিদেশী লোকসকলক গণনা কৰালে৷ তাতে গণনা কৰোঁতে
এক লাখ ত্ৰেপন্ন হাজাৰ ছশ লোক পোৱা গ'ল। ১৮ তেওঁ সেইসকলৰ
মাজত বোজা ববলৈ সত্তৰ হাজাৰ আৰু পৰ্বতত কাঠ কাটিবলৈ আশী
হাজাৰ লোক নিয়োগ কৰিলে আৰু এই লোকসকলক কামত থাকোতে
তদাৰক কৰিবলৈ তিনি হাজাৰ ছশ লোকক নিযুক্ত কৰিলে।

৩ তেতিয়া যি ঠাইত যিহোৱাই চলোমনৰ পিতৃ দায়ুদক দৰ্শন দিছিল,
সেই যিৰূচালেমৰ মোৰিয়া পৰ্বতত যিহোৱাৰ গৃহ নিৰ্ম্মাণ কৰিবলৈ
আৰম্ভ কৰিলে। দায়ূদে নিৰূপণ কৰি ৰখা যিবুচীয়া অৰ্ণনৰ মৰণা মৰা
ঠাইতে তেওঁ এয়া যুগুত কৰিলে। ২ তেওঁৰ ৰাজত্বৰ চতুৰ্থ বছৰৰ
দ্বিতীয় মাহৰ দ্বিতীয় দিনা তেওঁ নিৰ্ম্মাণ কৰিবলৈ আৰম্ভ কৰিলে। ৩
চলোমনে ঈশ্বৰৰ গৃহ নিৰ্ম্মাণ কৰিবলৈ যি ভিত্তিমূল স্থাপন কৰিলে, তাৰ
জোখ এই - পূৰ্বকালৰ হাতৰ জোখেৰে তাৰ দীৰ্ঘ আছিল ষাঠি হাত
আৰু বহলে বিশ হাত আছিল। ৪ আৰু গৃহৰ বহল আনুসাৰে গৃহৰ
সন্মুখৰ বাৰাণ্ডা বিশ হাত দীঘল আছিল৷ ইয়াৰ উচ্চতাও বিশ হাত ওখ
আছিল আৰু চলোমনে তাৰ ভিতৰে শুদ্ধ সোণৰ পতা মাৰিলে। ৫
তেওঁ বৰ গৃহৰ দেৱালত দেবদাৰু কাঠ লগালে আৰু তেওঁ তাত উত্তম
সোণৰ পতা মাৰিলে আৰু তাত খাজুৰ গছ আৰু শিকলিৰ আকৃতি

কৰি দিলে। ৬ আৰু তেওঁ শুভনীয় কৰিবলৈ গৃহটি মূল্যৱান পাথৰেৰে
বিভূষিত কৰিলে; সেই সোণ পৰ্বয়িমৰ সোণ আছিল। ৭ তেওঁ গৃহৰ
চতিত, দুৱাৰ-ডলিত, দেৱালত আৰু দুৱাৰত সোণৰ পতা মাৰিলে
আৰু দেৱালত কৰূবৰ আকৃতি কাটিলে। ৮ আৰু তেওঁ অতি পবিত্ৰ
গৃহ নিৰ্ম্মাণ কৰিলে৷ সেই গৃহৰ দীঘ বহল অনুসাৰে বিশ হাত আৰু
বহল বিশ হাত৷ তেওঁ তাতে ছশ কিক্কৰ উত্তম সোণ লগালে। ৯
গজালৰ সোণৰ জোখ পঞ্চাশ চেকল। তেওঁ ওপৰৰ কোঁঠালিবোৰতো
সোণ লগালে। ১০ সেই অতি পবিত্ৰ গৃহত, তেওঁ খনিকৰৰ কাৰ্যেৰে
দুটা কৰূব নিৰ্ম্মাণ কৰিলে আৰু কাৰিকৰৰ দ্বাৰাই তাত সোণৰ পতা
মাৰিলে। ১১ সেই কৰূব দুটাৰ ডেউকা বিশ হাত দীঘল; সেয়ে গৃহৰ
দেৱাল ঢুকি পোৱাকৈ এটাৰ এখন ডেউকা পাঁচ হাত দীঘল; সেয়ে
দ্বিতীয় কৰূবৰ ডেউকা ঢুকি পোৱাকৈ আনখনো পাঁচ হাত দীঘল। ১২
গৃহৰ দেৱাল ঢুকি পোৱাকৈ আন কৰূবৰো এখন ডেউকা পাঁচ হাত
দীঘল; আৰু সেয়ে আনটো কৰূবৰ ডেউকাত লাগি থকাকৈ আন খনো
পাঁচ হাত দীঘল। ১৩ সেই কৰূব কেইটা ডেউকা মেলিলে বিশ হাত
ঠাই জুৰে৷ সেই দুটাই গৃহৰ ফাললৈ মুখ কৰি ভৰিত ভৰ দি থিয় হৈ
আছিল। ১৪ তেওঁ নীল বৰণীয়া, বেঙেনা বৰণীয়া আৰু সেন্দুৰ বৰণীয়া
সূতা ও মিহি শণ সূতাৰে প্ৰভেদক বস্ত্ৰখন যুগুত কৰিলে আৰু তাত
কৰূবৰ আকৃতি তুলি দিলে। ১৫ আৰু তেওঁ গৃহৰ সন্মুখত পঁয়ত্ৰিশ
হাত ওখ দুটা স্তম্ভ নিৰ্ম্মাণ কৰিলে; এটা এটা স্তম্ভৰ মুৰৰ মাথলা পাঁচ
হাতকৈ আছিল। ১৬ আৰু তেওঁ শিকলি বনাই স্তম্ভৰ চাৰিওফালৰ মুৰত
লগাই দিলে, আৰু এশ ডালিমো বনাই সেই শিকলিত লগাই দিলে।
১৭ সেই দুটা স্তম্ভ তেওঁ মন্দিৰৰ আগত সোঁফালে এটা আৰু বাওঁফালে
এটা স্থাপন কৰিলে; সোঁ ফালৰটোৰ নাম যাখীন আৰু বাওঁ ফালৰটোৰ
নাম বোৱাজ ৰাখিলে।

**4** তাৰ উপৰিও তেওঁ পিতলৰ এটা যজ্ঞবেদী নিৰ্মান কৰিলে; সেয়ে
দীঘে বিশ হাত, বহলে বিশ হাত আৰু ওখই দহ হাত আছিল। ২
তেওঁ সমুদ্ৰ-পাত্ৰটো সাঁচত ঢালি তাক সাজিলে৷ সেই পাত্ৰটো ঘূৰণীয়া
আছিল৷ তাৰ এখন কাণৰ পৰা আনখনলৈ দশ হাত বহল আছিল৷

তাৰ উচ্চতা পাঁচ হাত আৰু তাৰ পৰিধি বা ঘেৰ ত্ৰিশ হাত আছিল৷
৩ পাত্ৰখনৰ কানৰ তলৰ প্ৰত্যেক হাত জোখৰ ভিতৰত, দহোটাকৈ
ষাঁড়গৰুৰ আকৃতি আছিল৷ পাত্ৰটো ঢলা সময়ত সেই গৰুৰ আকৃতিবোৰ
দুশাৰীকৈ সাঁচত ঢলা হৈছিল। ৪ আৰু সেই সমুদ্ৰ-পাত্ৰটো বাৰটা গৰুৰ
ওপৰত ৰখা হ'ল, সেইবোৰৰ তিনিটাই উত্তৰলৈ, তিনিটাই পশ্চিমলৈ,
তিনিটাই দক্ষিণলৈ আৰু তিনিটাই পূৱলৈ মুখ কৰি আছিল৷ সেই সমুদ্ৰ-
পাত্ৰটো সেইবোৰৰ ওপৰত বহুউৱা হ'ল আৰু সেইবোৰৰ পাছফাল
ভিতৰফালে আছিল। ৫ সেই পাত্ৰখন চাৰি আঙুল ডাঠ; আৰু তাৰ কাণ
বাটিৰ কাণ ও কনাৰি ফুলৰ নিচিনাকৈ সজা হ'ল৷ তাত তিনি হাজাৰ
বৎ ধৰে। ৬ তেওঁ দহোটা প্ৰক্ষালন-পাত্ৰও সাজিলে; তাৰে পাঁচোটা
সোঁ ফালে আৰু পাঁচোটা বাওঁফালে ধোৱাপখলা কৰিবৰ বাবে হ'ল;
সেইবোৰত তেওঁলোকে উৎসৰ্গ কৰিব লগীয়া হোম-বলিৰ বস্তুবোৰ
ধোৱে৷ কিন্তু সমুদ্ৰ-পাত্ৰটো হ'লে, পুৰোহিতসকলে গা ধুবৰ বাবে হ'ল।
৭ আৰু তেওঁ বিধিমতে সোণৰ দহোটা দীপাধাৰ সাজিলে; তাৰ পাঁচোটা
সোঁফালে আৰু পাঁচোটা বাওঁফালে মন্দিৰত স্থাপন কৰিলে। ৮ তেওঁ
দহখন মেজ সাজি, তাৰ পাঁচখন সোঁফালে আৰু পাঁচখন বাওঁফালে
মন্দিৰৰ ভিতৰত ৰাখিলে৷ আৰু পেয় দ্ৰব্য ঢালিবৰ বাবে সোণৰ এশ
বাটি সাজিলে। ৯ তাত বাজে তেওঁ পুৰোহিতসকলৰ চোতাল, বৰ
চোতাল আৰু চোতালৰ দুৱাৰ যুগুত কৰিলে আৰু সেই দুৱাৰবোৰত
পিতলৰ পতা মাৰিলে। ১০ আৰু তেওঁ সমুদ্ৰ-পাত্ৰটো গৃহৰ সোঁকাষে
পূৱদিশে দক্ষিণমুৱাঁকৈ স্থাপন কৰিলে। ১১ ছাঁই পেলোৱা পাত্ৰ, ছাঁই
উলিওৱা হেতা আৰু তেজ ছটিওৱা পাত্ৰ হীৰমে নিৰ্ম্মাণ কৰিলে।
এইদৰে হূৰমে চলোমন ৰজাৰ বাবে ঈশ্বৰৰ গৃহত কৰা কাৰ্যবোৰ কৰি
সামৰিলে। ১২ তেওঁ সেই স্তম্ভ দুটা, সেই স্তম্ভৰ মুৰৰ ঘূৰণীয়া ভাগ দুটা
আৰু মাথলা দুটা সেই স্তম্ভৰ মুৰৰ মাথলেৰ ঘূৰণীয়া ভাগ দুটা ঢাকিবৰ
অৰ্থে দুখন জালৰ আকৃতিৰ বস্তু আছিল৷ ১৩ আৰু সেই দুখন জালৰ
আকৃতিৰ বস্তুৰ বাবে চাৰিশ ডালিম, অৰ্থাৎ স্তম্ভ দুটাৰ ওপৰৰ মাথলাৰ
ঘুৰণীয়া ভাগ দুটা ঢাকিবৰ অৰ্থে প্ৰত্যেক জালৰ আকৃতিৰ বস্তুৰ বাবে
দুশাৰী ডালিম সাজিলে৷ ১৪ তেওঁ আধাৰবোৰ, সেই আধাৰবোৰৰ

ওপৰত ৰাখিবলৈ প্ৰক্ষালন পাত্ৰবোৰ, ১৫ এটা সমুদ্ৰ-পাত্ৰ আৰু তাৰ
তলৰ গৰু বাৰটা সাজিলে। ১৬ ছাঁই পেলোৱা পাত্ৰ, ছাঁই উলিওৱা
হেতা, ত্ৰিশূল আদি সকলো সঁজুলি, তেওঁৰ প্ৰধান শিল্পকৰ হীৰমে
চলোমন ৰজাৰ কাৰণে যিহোৱাৰ গৃহৰ বাবে চকচকিয়া পিতলেৰে
সাজিলে। ১৭ ৰজাই যৰ্দ্দনৰ সমথলত চুক্কোৎ আৰু চৰেদাৰ মাজত
থকা আলতীয়া মাটিত তাক ঢলালে। ১৮ আৰু চলোমনে যিবোৰ পাত্ৰ
সাজিলে, সেই আটাইবোৰ অনেক আছিল; কিয়নো সেইবোৰ পিতলৰ
ওজন কিমান, তাক জনা নগ'ল। ১৯ আৰু চলোমনে ঈশ্বৰৰ গৃহৰ
সকলো বস্তু নিৰ্ম্মাণ কৰালে অৰ্থাৎ সোণৰ বেদী, দৰ্শন-পিঠা থবৰ বাবে
মেজ কেইখন; ২০ আৰু অন্তঃস্থানৰ সন্মুখত বিধিমতে জ্বলাবৰ বাবে
প্ৰদীপে সৈতে নিৰ্ম্মল সোণৰ দীপাধাৰবোৰ শুদ্ধ সোণৰ আছিল; ২১
সোণৰ ফুল, প্ৰদীপ, শলাকানি-কটা, সকলোৰেই অতি শুদ্ধ সোণৰ।
২২ নিৰ্ম্মল সোণৰ কটাৰী, তেজ ছটিওৱা পাত্ৰ, পিয়লা আৰু এঙেৰা
ধৰা; আৰু গৃহৰ প্ৰবেশস্থানৰ বিষয়ে ক'বলৈ গ'লে, অতি পবিত্ৰ স্থানৰ
ভিতৰৰ দুৱাৰ আৰু গৃহৰ অৰ্থাৎ মন্দিৰৰ দুৱাৰ সোণৰ আছিল।

৫ এইদৰে যিহোৱাৰ গৃহৰ বাবে চলোমনে কৰা সকলো কাৰ্য সমাপ্ত
হ'ল। পাছত চলোমনে তেওঁৰ পিতৃ দায়ূদে উৎসৰ্গ কৰি দিয়া ৰূপ,
সোণ আৰু পাত্ৰ আদি আটাই বস্তু অনাই ঈশ্বৰৰ গৃহৰ ভঁৰালত
হ'ল। ২ তাৰ পাছত চলোমনে দায়ূদৰ নগৰ সেই চিয়োনৰ পৰা
যিহোৱাৰ নিয়ম-চন্দুকটি আনিবৰ কাৰণে ইস্ৰায়েলৰ বৃদ্ধসকলক,
ফৈদৰ মুখীয়ালসকলক আৰু ইস্ৰায়েলৰ সন্তান সকলৰ পিতৃ-বংশৰ
অধ্যক্ষসকলক যিৰূচালেমত গোট খুৱালে। ৩ তাতে সপ্তম মাহত
উৎসৱৰ সময়ত ইস্ৰায়েলৰ সকলো লোকে ৰজাৰ ওচৰলৈ আহি
গোট খালে। ৪ তাতে ইস্ৰায়েলৰ সকলো বৃদ্ধলোক আহিল আৰু
লেবীয়াসকলে নিয়ম-চন্দুকটি তুলি ল'লে। ৫ তেওঁলোকে নিয়ম চন্দুক,
সাক্ষাৎ কৰা তম্বু আৰু তম্বুৰ ভিতৰত থকা সকলো পবিত্ৰ বস্তু ল'লে।
এই সকলো বস্তু লেবীয়া ফৈদৰ পুৰোহিতসকলে লৈ আনিলে। ৬
তাতে চলোমন ৰজাই, তেওঁৰ ওচৰত গোট খোৱা ইস্ৰায়েলৰ গোটেই
মণ্ডলীৰ সৈতে নিয়ম-চন্দুকৰ আগত ভেড়া, গৰু আদি বলিদান কৰি

আছিল; সেয়ে বাহুল্যৰ কাৰণে অসংখ্য আৰু অগণ্য আছিল। ৭ পাছত
পুৰোহিতসকলে যিহোৱাৰ নিয়ম-চন্দুকটি গৃহৰ অন্তঃস্থানলৈ অৰ্থাৎ
মহা পবিত্ৰ স্থানলৈ লৈ গৈ কৰূব দুটাৰ ডেউকাৰ তলত তাৰ নিজ ঠাইত
স্থাপন কৰিলে। ৮ কিয়নো কৰূব দুটাই নিয়ম-চন্দুকৰ ওপৰত ডেউকা
মেলি আছিল আৰু দুটাই চন্দুকটি আৰু তাৰ কঢ়িওৱা কানমাৰিবোৰ
ঢাকি ধৰিছিল। ৯ সেই দুডাল কানমাৰি ইমান দীঘল আছিল, যে
তাৰ মূৰ অন্তঃস্থানৰ আগত পবিত্ৰ স্থানৰ পৰা দেখা যায় কিন্তু তাক
বাহিৰৰ পৰা দেখা নাযায়৷ সেয়ে আজিলৈকে সেই ঠাইত আছে। ১০
মিচৰৰ পৰা ইস্ৰায়েলৰ সন্তান সকলে ওলাই অহা কালত, যিহোৱাই
তেওঁলোকে সৈতে এটি নিয়ম-চুক্তি পতা সময়ত, হোৰেব পৰ্ব্বতত
মোচিয়ে চন্দুকটিৰ ভিতৰত যি দুখন ফলি ৰাখিছিল, তাৰ বাহিৰে তাত
আৰু একো নাছিল। ১১ পাছত পুৰোহিতসকল সেই পবিত্ৰ স্থানৰ পৰা
ওলাই আহিল৷ উপস্থিত হোৱা পুৰোহিতসকলে নিজকে পবিত্ৰ কৰিছিল;
তেওঁলোকে নিজকে আন দলৰ পৰা পৃথক কৰি ঈশ্বৰে তেওঁৰ পৰিচৰ্যা
কৰিবলৈ তেওঁলোকক বিচৰা আগতে তেওঁলোকে নিজকে আনুষ্ঠানিক
ভাবে পবিত্ৰকৰণ কৰিছিল৷ ১২ আৰু যি লেবীয়াসকলৰ গায়ক আছিল,
তেওঁলোক অৰ্থাৎ আচফ, হেমন, যিদূথূন আৰু তেওঁলোকৰ পুত্ৰ ও
ভাইসকল সকলোৱে মিহি শণ সূতাৰ বস্ত্ৰ পিন্ধি, হাতত তাল, নেবল
আৰু বীণা লৈ, যজ্ঞবেদীৰ পূব ফালে থিয় হৈ আছিল৷ তেওঁলোকৰ লগত
এশ বিশ জন পুৰোহিতে থাকি তুৰী বজাই আছিল। ১৩ তুৰীবাদক
আৰু গায়কসকলে যিহোৱাৰ প্ৰশংসা আৰু ধন্যবাদ কৰোঁতে একেটা
ধ্বনি কৰি সকলোৱে এজন মানুহে বজোৱাদি বজালে৷ তেওঁলোকে
তুৰী ও তাল আদি বাদ্যেৰে সৈতে, মহা শব্দেৰে যিহোৱাৰ প্ৰশংসা
কৰিলে, বোলে “কিয়নো যিহোৱা মঙ্গলময় সেই বাবে তেওঁৰ দয়া
চিৰকাললৈকে থাকে৷” তেতিয়া সেই গৃহ অৰ্থাৎ যিহোৱাৰ গৃহ মেঘেৰে
পৰিপূৰ্ণ হ'ল৷ ১৪ সেই মেঘৰ কাৰণে পুৰোহিতসকলে পৰিচৰ্যা কৰিবৰ
অৰ্থে থিয় হ'ব নোৱাৰা হ'ল, কিয়নো ঈশ্বৰৰ গৃহ যিহোৱাৰ প্ৰতাপেৰে
পৰিপূৰ্ণ আছিল।

৬ তেতিয়া চলোমনে ক'লে, "যিহোৱাই ঘোৰ অন্ধকাৰত বাস কৰিব
খুজিছে, ২ কিন্তু মই আপোনাৰ বাবে চিৰকাললৈকে বাস কৰিবলৈ
এটা গৃহ নিৰ্ম্মাণ কৰিলোঁ।" ৩ তাৰ পাছত ৰজাই ঘূৰিলে আৰু ইস্ৰায়েলৰ
গোট খোৱা সমাজক আশীৰ্ব্বাদ কৰিলে, তাতে ইস্ৰায়েলৰ সমাজত
সকলোৱে থিয় হৈ আছিল। ৪ তেওঁ ক'লে, "ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাৰ
ধন্য হওঁক; যি জনে মোৰ পিতৃ দায়ূদক নিজ মুখেৰে যি কথা কৈছিল,
সেয়া তেওঁ নিজ হাতে সিদ্ধও কৰিছিল; তেওঁ কৈছিল যে, ৫ 'মোৰ প্ৰজা
ইস্ৰায়েলক মিচৰ দেশৰ পৰা উলিয়াই অনা দিনৰে পৰা, মই মোৰ নাম
ৰাখিবৰ অৰ্থে গৃহ নিৰ্ম্মাণ কৰিবলৈ ইস্ৰায়েলৰ সকলো ফৈদৰ মাজত
কোনো নগৰ মনোনীত কৰা নাই আৰু ইস্ৰায়েলৰ ওপৰত ৰাজকুমাৰ
হ'বৰ কাৰণে মই কাকো মনোনীত কৰা নাই৷ ৬ কিন্তু মোৰ নাম
ৰাখিবৰ অৰ্থে মই যিৰূচালেমক মনোনীত কৰিলোঁ আৰু মোৰ প্ৰজা
ইস্ৰায়েলৰ ওপৰত অধ্যক্ষ হ'বৰ বাবে দায়ূদক মনোনীত কৰিলোঁ।'
৭ আৰু ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাৰ নামৰ উদ্দেশ্যে এটা গৃহ নিৰ্ম্মাণ
কৰিবলৈ মোৰ পিতৃ দায়ূদৰ মন আছিল। ৮ কিন্তু যিহোৱাই মোৰ পিতৃ
দায়ূদক ক'লে, 'মোৰ নামৰ উদ্দেশ্যে এটা গৃহ নিৰ্ম্মাণ কৰিবলৈ মন
কৰিছা, ভাল কৰিছা৷ ৯ তথাপি তুমি সেই গৃহ নিৰ্ম্মাণ কৰিবলৈ নাপাবা,
কিন্তু তোমাৰ ঔৰসত যি পুত্ৰ জন্মিব, তেৱেঁই মোৰ নামৰ উদ্দেশ্যে
সেই গৃহ নিৰ্ম্মাণ কৰিব।' ১০ এই বাক্য যিহোৱাই কৈছিল আৰু তেওঁ
সফলো কৰিলে; কিয়নো যিহোৱাৰ প্ৰতিজ্ঞা অনুসাৰে মই মোৰ পিতৃ
দায়ূদৰ পদত নিযুক্ত হলোঁ আৰু ইস্ৰায়েলৰ সিংহাসনৰ ওপৰত বহি,
ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাৰ নামৰ উদ্দেশ্যে এই গৃহ নিৰ্ম্মাণ কৰিলোঁ।
১১ আৰু যিহোৱাই ইস্ৰায়েলৰ সন্তান সকলৰ সৈতে যি নিয়ম কৰিছিল,
সেই নিয়ম থকা নিয়ম-চন্দুকটিও ইয়াৰ ভিতৰত ৰাখিলোঁ।" ১২ পাছত
চলোমনে ইস্ৰায়েলৰ গোটেই সমাজৰ সাক্ষাতে যিহোৱাৰ যজ্ঞবেদীৰ
আগত থিয় হ'ল আৰু তেওঁ হাত দুখন মেলিলে৷ ১৩ কিয়নো চলোমনে
পাঁচ হাত দীঘল, পাঁচ হাত বহল আৰু তিনি হাত ওখ এনে এখন
পিতলৰ মঞ্চ সাজিছিল আৰু সেই মঞ্চটো চোতালৰ মাজ-মজিয়াত
ৰাখিছিল৷ তেওঁ তাৰ ওপৰত উঠি থিয় হ'ল আৰু ইস্ৰায়েলৰ সকলো

মণ্ডলীৰ সাক্ষাতত আঠুকাঢ়ি স্বৰ্গৰ ফালে হাত মেলিলে। ১৪ তেওঁ
ক'লে, "হে ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱা, স্বৰ্গ আৰু পৃথিৱীত আপোনাৰ
তুল্য কোনো ঈশ্বৰ নাই; সকলো হৃদয়েৰে আপোনাৰ আগত আচৰণ
কৰোঁতা আপোনাৰ দাসবোৰৰ বাবে আপুনি দয়া আৰু নিয়ম ৰক্ষা
কৰোঁতা; ১৫ আপোনাৰ দাস, মোৰ পিতৃ দায়ূদৰ আগত আপুনি
যি প্ৰতিজ্ঞা কৰিছিল, সেই বিষয়ে আপুনি পালন কৰিলে৷ আপুনি
নিজ মুখেৰে যেনেদৰে কৈছিল, তেনেদৰে নিজ হাতেৰে তাক সিদ্ধও
কৰিলে। ১৬ এই হেতুকে এতিয়া, হে ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱা,
আপোনাৰ দাস মোৰ পিতৃ দায়ূদৰ আগত যি প্ৰতিজ্ঞা কৰিছিল, সেই
বিষয়ে আপোনাৰ এই দাসলৈ পালন কৰক কিয়নো আপুনি কৈছিল
বোলে, 'তুমি মোৰ আগত যেনেকৈ চলিলা, তেনেদৰে তোমাৰ সন্তান
সকলেও যদি এইদৰে মোৰ ব্যৱস্থাত চলিবলৈ নিজ নিজ পথত সাৱধান
হৈ থাকে, তেনেহ'লে মোৰ দৃষ্টিত ইস্ৰায়েলৰ সিংহাসনৰ ওপৰত
বহিবলৈ তোমাৰ সম্বন্ধীয়া মানুহৰ অভাৱ নহ'ব৷' ১৭ এই হেতুকে
এতিয়া, হে ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱা মই বিনয় কৰোঁ, আপোনাৰ
দাস দায়ূদক আপুনি যি বাক্য কৈছিল, সেয়ে যেন সত্যত পৰিনত
হয়। ১৮ কিন্তু বাস্তৱিকতে ঈশ্বৰে পৃথিৱীত মনুষ্যৰ লগত বাস কৰিব
নে? চাওঁক বিশ্বব্ৰহ্মাণ্ড আৰু স্বৰ্গই নিজেও আপোনাক ধাৰণ কৰিব
নোৱাৰে- তেন্তে মই নিৰ্ম্মাণ কৰা গৃহই জানো পাৰিব? ১৯ তথাপি, হে
মোৰ ঈশ্বৰ যিহোৱা, আপুনি আপোনাৰ দাসৰ প্ৰাৰ্থনা আৰু অনুৰোধ
গ্ৰহণ কৰি আপোনাৰ দাসে আপোনাৰ আগত কৰা কাতৰোক্তি আৰু
প্ৰাৰ্থনালৈ কাণ দিয়ক। ২০ আৰু এই মন্দিৰ সদায় ৰক্ষা কৰক, যি
ঠাইত আপুনি কৈছিল, যে মই আপোনাৰ দাসে নিবেদন কৰোঁতে
আপুনি নিজেই ইয়াত উপস্থিত থাকি মোৰ নিবেদন শুনিব৷ ২১ আৰু
যেতিয়া আপোনাৰ দাস ও আপোনাৰ প্ৰজা ইস্ৰায়েলে এই ঠাইৰ
ফাললৈ মুখ কৰি প্ৰাৰ্থনা কৰিব, তেতিয়া আপুনি তেওঁলোকৰ প্ৰাৰ্থনা
যেন শুনে; এনে কি, আপুনি আপোনাৰ বাসস্থান স্বৰ্গৰ পৰা তাক শুনক
আৰু শুনি ক্ষমা কৰক। ২২ কোনোৱে নিজৰ চুবুৰীয়াৰ অহিতে পাপ
কৰিলে যদি তেওঁক শপত খাবলৈ দিয়া হয় আৰু তেওঁ আহি এই

গৃহত আপোনাৰ যজ্ঞবেদীৰ আগত শপত খায়, ২৩ তেতিয়া আপুনি
স্বৰ্গৰ পৰা সেই বিষয়ে শুনক আৰু কাৰ্য কৰি আপোনাৰ দাসবোৰৰ
বিচাৰ নিষ্পত্তি কৰি দোষীক দণ্ড দি তেওঁৰ কৰ্মৰ ফল তেওঁৰ মুৰত
দিয়ক আৰু নিৰ্দ্দোষীক নিৰ্দ্দোষী কৰি তেওঁৰ ধাৰ্মিকতাৰ ফল তেওঁক
দিয়ক। ২৪ যদি আপোনাৰ প্ৰজা ইস্ৰায়েলে আপোনাৰ বিৰুদ্ধে পাপ
কৰাৰ কাৰণে শত্ৰুৰ আগত ঘটাৰ পাছত যদি আপোনালৈ ঘূৰে আৰু
আপোনাৰ নাম স্বীকাৰ কৰি, এই গৃহত আপোনাৰ আগত প্ৰাৰ্থনা আৰু
অনুৰোধ কৰে - ২৫ তেনেহ'লে স্বৰ্গৰ পৰা তাক শুনি আপোনাৰ প্ৰজা
ইস্ৰায়েলৰ পাপ ক্ষমা কৰিব আৰু আপুনি তেওঁলোকক ও তেওঁলোকৰ
পূৰ্ব-পুৰুষসকলক দিয়া দেশলৈ তেওঁলোকক ওভটাই আনিব। ২৬
তেওঁলোকে আপোনাৰ অহিতে পাপ কৰাৰ কাৰণে, যেতিয়া আকাশ
বন্ধ হোৱাত বৰষুণ নোহোৱা হ'ব, তেতিয়া যদি তেওঁলোকে এই ঠাইৰ
ফাললৈ মুখ কৰি প্ৰাৰ্থনা কৰে আৰু যেতিয়া আপুনি তেওঁলোকক
দুখ দিয়া সময়ত আপোনাৰ নাম স্বীকাৰ কৰি নিজ নিজ পাপৰ পৰা
ঘূৰিব- ২৭ তেনেহ'লে আপুনি স্বৰ্গত থাকি সেই বিষয়ে শুনিব আৰু
আপোনাৰ দাসবোৰৰ ও আপোনাৰ প্ৰজা ইস্ৰায়েলৰ পাপ ক্ষমা কৰি
তেওঁলোকক যাবলগীয়া সজ পথৰ বিষয়ে তেওঁলোকক শিক্ষা দিব
আৰু আপুনি আপোনাৰ লোকসকলৰ উত্তৰাধিকাৰৰ অৰ্থে দিয়া দেশত
বৰষুণ বৰষাব। ২৮ দেশৰ মাজত যদি আকাল কি মহামাৰী হয়, শস্য
ককৰ্ত্তনীয়া কি ৰঙামুৰীয়া হয় নাইবা ফৰিং কি পোক হয়, আৰু যদি
তেওঁলোকৰ শত্ৰুবোৰে তেওঁলোকৰ দেশৰ নগৰবোৰত তেওঁলোকক
অৱৰোধ কৰে বা যিকোনো আপদ বা ৰোগ হয় - ২৯ আৰু যদি কোনো
এজন লোকে বা আপোনাৰ প্ৰজা ইস্ৰায়েলৰ লোকসকলে প্ৰাৰ্থনা আৰু
অনুৰোধ কৰে - যদি প্ৰতিজনে নিজৰ পীড়া আৰু দুখ জানি এই গৃহৰ
ফালে নিজৰ হাত মেলে, ৩০ তেনেহ'লে সেই বিষয়ে কৰা যি কোনো
প্ৰাৰ্থনা বা অনুৰোধ আপুনি আপোনাৰ বাসস্থান স্বৰ্গৰ পৰা সেই বিষয়ে
শুনি ক্ষমা কৰিব আৰু প্ৰতিজন লোকৰ মন জানি, কিয়নো আপুনি,
কেৱল আপুনিহে মনুষ্য সন্তান সকলৰ মন জানে; তেওঁলোকৰ নিজ
নিজ কৰ্মৰ দৰে ফল দিব৷ ৩১ আপুনি এনেদৰে কৰক যাতে তেওঁলোকে

আপোনালৈ ভয় ৰাখে আৰু আপুনি অামাৰ পূৰ্ব-পুৰুষসকলক দিয়া
দেশত তেওঁলোকে যেন জীয়াই থকা সকলো দিনত আপোনাৰ পথত
চলে৷ ৩২ তদুপৰি আপোনাৰ প্রজা ইস্রায়েল লোকৰ মাজৰ নোহোৱা
অনা-ইহুদী লোক যেতিয়া আপোনাৰ মহান নামৰ আৰু আপোনাৰ
বলৱান হাত ও মেলা বাহুৰ কথা শুনি দূৰ দেশৰ পৰা আহি এই গৃহৰ
ফালে মুখ কৰি প্রার্থনা কৰিব, ৩৩ তেতিয়া আপোনাৰ প্রজা ইস্রায়েলৰ
দৰে আপোনাক ভয় কৰিবৰ অৰ্থে, পৃথিৱীৰ সকলো জাতিয়ে যেন
আপোনাৰ নাম জানিব আৰু মই সজা এই গৃহ যে আপোনাৰ নামেৰে
প্রখ্যাত, সেই বিষয়ে যেন জানিব, এই কাৰণে আপোনাৰ বাসস্থান
স্বৰ্গৰ পৰা সেই বিষয়ে শুনিব আৰু সেই বিদেশী লোকে আপোনালৈ
কৰা সকলো প্রার্থনাৰ দৰে তেওঁলৈ কাৰ্য কৰিব। ৩৪ ধৰি লওঁক আপুনি
আপোনাৰ প্রজাক যি কোনো বাটেদি পঠিয়াই, সেই বাটেদি যদি
তেওঁলোকে নিজৰ শত্রুবোৰে সৈতে যুদ্ধ কৰিবলৈ ওলায় যায় আৰু
আপোনাৰ মনোনীত এই নগৰৰ ফাললৈ, আপোনাৰ নামৰ কাৰণে
মই সজা গৃহৰ ফাললৈ মুখ কৰি আপোনাৰ আগত প্রার্থনা কৰে, ৩৫
তেনেহ'লে আপুনি স্বৰ্গৰ পৰা তেওঁলোকৰ প্রার্থনা আৰু অনুৰোধ শুনি
তেওঁলোকৰ বিচাৰ নিস্পত্তি কৰিব। ৩৬ তেওঁলোকে যদি আপোনাৰ
বিৰুদ্ধে পাপ কৰে - কিয়নো পাপ নকৰা মানুহ কোনো নাই - আৰু
আপুনি তেওঁলোকলৈ ক্রুদ্ধ হৈ তেওঁলোকক শত্রুৰ হাতত শোধাই দিয়ে
আৰু তাতে তেওঁলোকৰ শত্রুবোৰে তেওঁলোকক বন্দী কৰি, দূৰত বা
ওচৰত থকা দেশলৈ লৈ যায়, ৩৭ তথাপি তেওঁলোকক বন্দী কৰি নিয়া
দেশত যদি তেওঁলোকে মনত বিবেচনা কৰি ঘূৰে আৰু তেওঁলোকৰ
বন্দী অৱস্থাৰ দেশত থাকি আপোনাৰ আগত প্রার্থনা কৰি কয়, বোলে-
'আমি অপথে গৈ পাপ কৰিলোঁ৷ আমি কুকৰ্ম কৰিলোঁ৷' ৩৮ ধৰি
লওঁক তেওঁলোকৰ বন্দী অৱস্থাৰ দেশত তেওঁলোক সকলো মনেৰে,
সকলো চিত্তেৰে আপোনালৈ উভটি আহে আৰু তেওঁলোকৰ পূর্ব-
পুৰুষসকলক আপুনি দিয়া তেওঁলোকৰ দেশৰ ফালে চায়, আপোনাৰ
মনোনীত নগৰৰ ফালে আৰু আপোনাৰ নামৰ কাৰণে, মই নির্মান
কৰা এই গৃহৰ ফালে যদি মুখ কৰি প্রার্থনা কৰে, ৩৯ তেতিয়া আপুনি

আপোনাৰ বাসস্থান স্বৰ্গৰ পৰা তেওঁলোকৰ প্ৰাৰ্থনা আৰু অনুৰোধ শুনি,
তেওঁলোকৰ বিচাৰ নিষ্পত্তি কৰিব আৰু আপোনাৰ বিৰুদ্ধে পাপ কৰা
আপোনাৰ প্ৰজাসকলক ক্ষমা কৰিব। ৪০ এতিয়া, হে মোৰ ঈশ্বৰ,
মই বিনয় কৰোঁ, এই ঠাইত কৰা প্ৰাৰ্থনালৈ আপোনাৰ চকু মেলা
আৰু কাণো পতা হওঁক। ৪১ হে ঈশ্বৰ যিহোৱা, এতিয়া আপুনি আৰু
আপোনাৰ শক্তিৰ চন্দুকটি নিজ বিশ্ৰামৰ ঠাইলৈ উঠি যাওঁক; হে
ঈশ্বৰ যিহোৱা, আপোনাৰ পুৰোহিতসকলে পৰিত্ৰাণ-বস্ত্ৰ পিন্ধক আৰু
আপোনাৰ সাধুসকলে মঙ্গলত আনন্দ কৰক। ৪২ হে ঈশ্বৰ যিহোৱা,
আপুনি আপোনাৰ অভিষিক্ত জনক বিমুখ নকৰিব৷ আপোনাৰ দাস
দায়ূদলৈ কৰা নানা দয়ালৈ সোঁৱৰণ কৰক।”

৭ যেতিয়া চলোমনৰ প্ৰাৰ্থনা শেষ হ’ল, তেতিয়া আকাশৰ পৰা অগ্নি
নামি আহি হোম-বলি আৰু আন বলিসমূহ গ্ৰাস কৰিলে আৰু যিহোৱাৰ
প্ৰতাপেৰে সেই গৃহ পৰিপূৰ্ণ হ’ল। ২ তেতিয়া পুৰোহিতসকলে
যিহোৱাৰ গৃহত প্ৰৱেশ কৰিব নোৱাৰিলে; কিয়নো যিহোৱাৰ প্ৰতাপেৰে
তেওঁৰ গৃহ পৰিপূৰ্ণ হৈ আছিল। ৩ অগ্নি নামি আহি থকাত আৰু গৃহৰ
ওপৰত যিহোৱাৰ প্ৰতাপ পৰিপূৰ্ণ হৈ থকা সময়ত ইস্ৰায়েলৰ সন্তান
সকলে চাই আছিল৷ তেওঁলোকে মূৰ দোঁৱাই, শিলেৰে বন্ধা মাটিত
মুখ লগাই প্ৰণিপাত কৰি যিহোৱাক ধন্যবাদ জনালে৷ তেওঁলোকে
ক’লে “কিয়নো তেওঁ মঙ্গলময়, সেই বাবে তেওঁৰ দয়া চিৰকাললৈকে
থাকে৷” ৪ তাৰ পাছত ৰজা আৰু সকলো প্ৰজাই যিহোৱাৰ আগত
বলিদান কৰিলে। ৫ ৰজা চলোমন বাইশ হাজাৰ গৰু আৰু এক লাখ
বিশ হাজাৰ ভেড়া আৰু ছাগলী উৎসৰ্গ কৰিলে। এইদৰে ৰজা আৰু
সকলোৱে মিলি ঈশ্বৰৰ গৃহ প্ৰতিষ্ঠা কৰিলে। ৬ পুৰোহিতসকলে
নিজ নিজ সেৱা কৰা ঠাইত থিয় হৈ আছিল; আৰু যিহোৱাৰ ধন্যবাদ
কৰি দায়ুদ ৰজাই যিহোৱাৰ গীত গাবৰ কাৰণে যি বাদ্য-যন্ত্ৰ নিৰ্ম্মাণ
কৰিছিল, সেই বাদ্যযন্ত্ৰ লেবীয়াসকলে হাতত লৈ থিয় হ’ল আৰু বাদ্য
বজাই দায়ূদৰ ৰচিত গীত গাই ক’লে, বোলে, “কিয়নো যিহোৱাৰ দয়া
চিৰকাললৈকে থাকে৷” পুৰোহিতসকলেও তেওঁলোকৰ আগত তূৰী
বজালে; আৰু গোটেই ইস্ৰায়েল থিয় হ’ল। ৭ চলোমনে যিহোৱাৰ গৃহৰ

সন্মুখত থকা চোতালৰ মাজ-মজিয়াটো পবিত্ৰ কৰিছিল৷ সেই ঠাইতেই
তেওঁ হোম-বলি আৰু মঙ্গলাৰ্থক বলিৰ তেল উৎসৰ্গ কৰিছিল, কাৰণ
তেওঁ সজা পিতলৰ যজ্ঞবেদীয়ে সেই হোমবলি, ভক্ষ্য নৈবেদ্য আৰু
মঙ্গলাৰ্থক বলিৰ তেল ধৰিব নোৱাৰিছিল। ৮ এইদৰে সেই সময়ত
চলোমন আৰু তেওঁৰ লগত গোটেই ইস্রায়েলে হমাতৰ প্ৰৱেশ স্থানৰ
পৰা মিচৰ জুৰিলৈকে সেই উৎসৱ মহা-সমাজে সাত দিন ধৰি পালন
কৰিলে। ৯ পাছত অষ্টম দিনা তেওঁলোকে ধৰ্মসভা পাতিলে; কিয়নো
তেওঁলোকে সাত দিন যজ্ঞবেদী প্ৰতিষ্ঠা কৰিছিল আৰু সাত দিন
উৎসৱ কৰিছিল। ১০ চলোমনে সপ্তম মাহৰ তেইশ দিনৰ দিনা নিজ
নিজ তম্বুলৈ লোকসকলক আনন্দিত আৰু সন্তুষ্ট মনেৰে বিদায় দিলে;
কিয়নো যিহোৱাই দায়ুদ, চলোমন আৰু তেওঁৰ প্ৰজা ইস্রায়েললৈ মঙ্গল
কৰিলে৷ ১১ এইদৰে চলোমনে যিহোৱাৰ গৃহ আৰু ৰাজগৃহ সাজি
সমাপ্ত কৰিলে৷ যিহোৱাৰ গৃহত ও নিজৰ গৃহত যি যি কৰ্ম কৰিবলৈ
চলোমনে স্থিৰ কৰিছিল, তেওঁ সেই সকলোকেই সিদ্ধ কৰিলে। ১২
পাছত যিহোৱাই ৰাতি চলোমনক দৰ্শন দি ক'লে, "মই তোমাৰ প্ৰাৰ্থনা
শুনিলোঁ আৰু মোৰ যজ্ঞগৃহ বুলি এই ঠাই মনোনীত কৰিলোঁ। ১৩
মই যদি আকাশ এনেকৈ বন্ধ কৰোঁ, যে, বৰষুণ নহ'ব বা দেশ গ্ৰাস
কৰিবলৈ কাকতি ফৰিঙক আজ্ঞা কৰোঁ বা নিজ প্ৰজাসকলৰ মাজলৈ
মহামাৰী পঠাওঁ, ১৪ তেনেহ'লে মোৰ নামেৰে প্ৰখ্যাত হোৱা মোৰ
প্ৰজাসকলে যদি নিজকে নম্ৰ কৰি প্ৰাৰ্থনা কৰে আৰু মোৰ সাক্ষাৎ
হবলৈ বিচাৰে বা নিজ নিজ কু-পথৰ পৰা ঘূৰে, তেনেহ'লে মই স্বৰ্গৰ
পৰা শুনি তেওঁলোকৰ পাপবোৰ ক্ষমা কৰিম আৰু তেওঁলোকৰ দেশ
আৰোগ্য কৰিম। ১৫ আজিৰ পৰা এই ঠাইত কৰা প্ৰাৰ্থনালৈ মোৰ চকু
মেলা আৰু মোৰ কাণ পতা হ'ব। ১৬ কিয়নো মোৰ নাম চিৰকাললৈকে
থাকিবৰ কাৰণে মই এই গৃহ মনোনীত কৰি পবিত্ৰ কৰিলোঁ; আৰু
সকলো সময়ত এই ঠাইলৈ মোৰ চকু আৰু ইয়াত মোৰ মন থাকিব।
১৭ আৰু তুমিও যদি তোমাৰ পিতৃ দায়ূদৰ দৰে মোৰ সাক্ষাতে চলা
আৰু মই তোমাক দিয়া সকলো আজ্ঞা অনুসাৰে কাৰ্য কৰা আৰু মোৰ
বিধি ও শাসন প্ৰণালীবোৰ পালন কৰা, ১৮ তেনেহলে মই তোমাৰ

ৰাজ সিংহাসন স্থাপন কৰিম, যিদৰে তোমাৰ পিতৃ দায়ূদে সৈতে
নিয়ম স্থাপন কৰোঁতে কৈছিলোঁ যে, বোলে, ‘তোমালোকৰ বংশধৰৰ
সন্তান সকলে ইস্ৰায়েলৰ ওপৰত শাসন কৰোঁতে তেওঁলোক কেতিয়াও
বিফল নহ’ব৷’ ১৯ কিন্তু যদি তোমালোকে মোৰ পৰা বিমুখ হৈ, মই
তোমালোকৰ সন্মুখত স্থাপন কৰা মোৰ বিধি আৰু আজ্ঞাবোৰ ত্যাগ
কৰা আৰু ইতৰ দেবতাবোৰক সেৱা পূজা কৰা আৰু সেইবোৰৰ আগত
প্ৰণিপাত কৰা, ২০ তেনেহ’লে, মই তেওঁলোকক দিয়া দেশৰ পৰা
উচ্ছন্ন কৰিম; আৰু নিজ নামৰ কাৰণে মই পবিত্ৰ কৰা এই গৃহকো
মোৰ দৃষ্টিৰ পৰা দূৰ কৰিম আৰু সকলো জাতিৰ মাজত তাক দৃষ্টান্ত
আৰু বিদ্ৰূপৰ বিষয় কৰিম। ২১ আৰু এই যি গৃহ ইমান ওখ হৈছে, ইয়াৰ
ওচৰেদি যোৱা প্ৰতিজন লোকে আচৰিত হৈ সুধিব যে, ‘এই দেশলৈ
আৰু এই গৃহলৈ যিহোৱাই কিয় এইদৰে কাৰ্য কৰিলে?’ ২২ তেতিয়া
আন আন লোকসকলে উত্তৰ দি ক’ব, ‘এওঁলোকৰ পূৰ্বপুৰুষসকলে
মিচৰ দেশৰ পৰা বাহিৰ কৰি অনা নিজৰ পূৰ্বপুৰুষসকলৰ ঈশ্বৰ
যিহোৱাক এওঁলোকে ত্যাগ কৰিলে আৰু ইতৰ দেবতাবোৰত আসক্ত
হৈ সেইবোৰৰ আগত প্ৰণিপাত কৰিলে আৰু সেইবোৰক সেৱাপূজাও
কৰিলে৷ এই কাৰণে যিহোৱাই এওঁলোকৰ ওপৰত এই আটাই অমঙ্গল
ঘটালে’৷”

৮ চলোমনে যিহোৱাৰ গৃহ আৰু নিজৰ গৃহ সাঁজোতে বিশ বছৰ
লাগিল, ২ যেতিয়া হীৰমে চলোমনক যি যি নগৰ ওভটাই দিছিল,
সেই বিশ বছৰৰ মুৰত সেইবোৰ চলোমনে পুনৰায় সাজিলে আৰু
সেইবোৰত ইস্ৰায়েলৰ সন্তান সকলক বাস কৰিবলৈ দিলে। ৩
চলোমনে হমাৎ-চোবালৈ গৈ তাক আক্ৰমণ কৰি পৰাজয় কৰিলে। ৪
আৰু মৰুপ্ৰান্তত থকা তদ্মোৰ নগৰ আৰু হমাতত যি যি ভঁৰাল থকা নগৰ
আছিল, সেইবোৰ তেওঁ নিৰ্মাণ কৰিলে৷ ৫ ইয়াৰ ওপৰিও তেওঁ উজনি
বৈৎহোৰোণ আৰু নামনি বৈৎ-হোৰোণ পুনৰায় নিৰ্ম্মাণ কৰিলে; এই
দুখন নগৰ গড়, দুৱাৰ আৰু ডাং থকা সুসজ্জিত নগৰ। ৬ বালৎ আৰু
সামগ্ৰী সমূহ মজুত ৰাখিবৰ বাবে তেওঁ অধিকাৰত থকা নগৰবোৰ
নিৰ্মান কৰিলে। তেওঁৰ ৰথ ৰাখিবৰ বাবে আৰু অশ্বাৰোহীসকল

থাকিবৰ বাবে নগৰ সাজিলে; তেওঁৰ সন্তুষ্টিৰ বাবে যিৰূচালেমত,
লিবানোনত, তেওঁ যি যি নির্মান কৰিব বিচাৰিছিল, সেই সকলোকে
কৰিলে আৰু এইদৰে তেওঁৰ শাসনাধীন সকলো দেশতে কৰিলে।
৭ ইস্রায়েলৰ সন্তান সকলৰ মাজৰ নোহোৱা অৱশিষ্ট থকা হিত্তীয়া,
ইমোৰীয়া, পৰিজ্জীয়া, হিব্বীয়া আৰু যিবুচীয়া লোকসকলৰ, ৮ যি
বংশধৰৰ সন্তান সকল দেশত অৱশিষ্ট থাকিল, যিসকলক ইস্রায়েলৰ
সন্তান সকলে উচ্ছন্ন নকৰিলে, তেওঁলোকৰ মাজৰ পৰাই বন্দী কামৰ
বাবে চলোমনে মানুহ গোটালে; আৰু তেওঁলোকে আজিলৈকে তাকেই
কৰি আছে। ৯ কিন্তু চলোমনে তেওঁৰ কার্যৰ বাবে ইস্রায়েলৰ সন্তান
সকলৰ মাজৰ কোনো এজনকো বন্দী-কামত নলগালে৷ বৰং তেওঁলোক
তেওঁৰ ৰণুৱা, সেনাপতি আৰু সাৰথি ও অশ্বাৰোহীৰ অধ্যক্ষ হ'ল।
১০ তেওঁলোকৰ মাজৰ দুশ পঞ্চাশজন লোক চলোমন ৰজাৰ কার্যত
নিযুক্ত কৰা প্ৰধান বিষয়া আছিল; তেওঁলোকে লোকসকলৰ কাম
তদাৰক কৰিছিল৷ ১১ পাছত চলোমনে ফৰৌণৰ জীয়েকৰ বাবে সজা
গৃহলৈ, দায়ূদৰ নগৰৰ পৰা তেওঁক অনালে; কিয়নো তেওঁ কৈছিল,
“মোৰ ভাৰ্য্যা ইস্রায়েলৰ দায়ুদ ৰজাৰ গৃহত বাস নকৰিব; কাৰণ যি
যি ঠাইলৈ যিহোৱাৰ নিয়ম-চন্দুক আহে, সেই ঠাইবোৰ পবিত্ৰ।” ১২
তাৰ পাছত চলোমনে বাৰাণ্ডাৰ আগত নিজে নিৰ্ম্মাণ কৰা যিহোৱাৰ
যজ্ঞবেদীৰ ওপৰত যিহোৱাৰ উদ্দেশ্যে হোম-বলি উৎসৰ্গ কৰিবলৈ
ধৰিলে৷ ১৩ প্ৰতিদিনৰ বিধি অনুসাৰে, তেওঁ মোচিৰ আজ্ঞামতে
বিশ্ৰামবাৰত, ন-জোনত, আৰু নিৰূপিত পৰ্বৰ দিনত, যেনে খমীৰ
নিদিয়া পিঠাৰ পৰ্ব্ব, সাত সপ্তাহৰ পৰ্ব আৰু পঁজা-পৰ্ব্বৰ দিনবোৰত
এই বলি তিনিবাৰকৈ বছৰৰ ভিতৰত উৎসৰ্গ কৰিলে। ১৪ তেওঁ পিতৃ
ৰজা দায়ূদৰ নিৰ্দেশ অনুসৰণ কৰিলে, চলোমনে মন্দিৰৰ সেৱা কাৰ্য
আৰু প্ৰতিদিনৰ বিধি অনুসাৰে ঈশ্বৰৰ প্ৰশংসা কৰিবলৈ পুৰোহিত আৰু
লেবীয়াসকল তেওঁলোকৰ নিজ নিজ পদত নিযুক্ত কৰিলে। ইয়াৰ
উপৰিও তেওঁ দুৱাৰবোৰত বিভাগ অনুসৰি দুৱৰীবোৰ নিযুক্ত কৰিলে
আৰু তেওঁলোকক নিৰ্দেশবোৰো দিলে। ১৫ এই লোকসকলে পুৰোহিত
আৰু লেবীয়াসকলক বা ভঁড়াল ঘৰৰ বিষয়ত ৰজাই দিয়া আজ্ঞাৰ পৰা

কেতিয়াও বিপথে যোৱা নাছিল। ১৬ এই দৰে যিহোৱাৰ গৃহৰ ভিত্তিমূল
স্থাপন কৰা দিনৰ পৰা তাক নিৰ্ম্মাণ কৰি শেষ কৰালৈকে চলোমনৰ
সকলো কাৰ্য নিয়মিতৰূপে চলিল। এইদৰে যিহোৱাৰ গৃহ সম্পূৰ্ণকৈ
সমাপ্ত কৰা হ'ল আৰু কাৰ্যত লগোৱা হ'ল। ১৭ সেই কালত চলোমন
ইদোম দেশৰ সাগৰৰ তীৰত থকা ইচিয়োন-গেবৰলৈ আৰু এলতলৈ
গ'ল। ১৮ আৰু হীৰমে নিজৰ দাসবোৰৰ দ্বাৰাই তেওঁৰ গুৰিলৈ জাহাজ
আৰু সামুদ্ৰিক কাৰ্যত নিপুণ দাসবোৰক পঠিয়ালে; আৰু তেওঁলোকে
চলোমনৰ দাসবোৰৰ লগত ওফীৰলৈ গ'ল। তাৰ পৰা তেওঁলোকে
চাৰিশ পঞ্চাশ কিক্কৰ সোণ লৈ চলোমন ৰজাৰ ওচৰলৈ আহিল।

**৯** পাছত যেতিয়া চিবা দেশৰ ৰাণীয়ে চলোমনৰ যশস্যাৰ কথা শুনিলে,
তেতিয়া তেখেতে নিগূঢ় বাক্যৰ দ্বাৰাই তেওঁক পৰীক্ষা কৰিবলৈ
যিৰূচালেমলৈ আহিল৷ সুগন্ধি দ্ৰব্য, অধিক সোণ আৰু বহুমূল্য বাখৰ
বোজাই দিয়া অনেক উট আৰু অতিশয় অধিক লোকে সৈতে আহিল৷
যেতিয়া তেখেতে চলোমনৰ ওচৰলৈ আহিল, তেখেতৰ মনত যি যি
আছিল, সকলোকে তেওঁক ক'লে। ২ তাতে চলোমনে তেখেতৰ
সকলো প্ৰশ্নৰ উত্তৰ দিলে; চলোমনে বুজিব নোৱাৰা একোৱেই নাছিল;
তেওঁ উত্তৰ দিব নোৱাৰা কোনো এটা প্ৰশ্ন নাছিল৷ ৩ এইদৰে চিবাৰ
ৰাণীয়ে চলোমনৰ জ্ঞান আৰু তেওঁ নিৰ্ম্মাণ কৰা গৃহ দেখিলে, ৪ আৰু
তেওঁৰ মেজৰ আহাৰ, মন্ত্ৰীসকলৰ বহা আসন, পৰিচাৰকসকলৰ
আচাৰ-ব্যৱহাৰ আৰু তেওঁলোকৰ সাজ-পোচাক, তেওঁৰ পান-পাত্ৰ ধৰা
লোকসকল আৰু তেওঁলোকৰ সাজ-পোচাক আৰু যিহোৱাৰ গৃহলৈ
তেওঁ উঠা খটখটী, এই সকলোকে দেখি, তেখেত বিচূৰ্ত্তি হ'ল। ৫
তেখেতে ৰজাক ক'লে, "মই নিজ দেশত আপোনাৰ বাক্য আৰু জ্ঞানৰ
বিষয়ে যি কথা শুনিছিলোঁ, সেয়ে সঁচা আছিল। ৬ কিন্তু মই আহি
যেতিয়ালৈকে নিজ চকুৰে নেদেখিলোঁ, তেতিয়ালৈকে মই সেই কথাত
বিশ্বাস কৰা নাছিলোঁ৷ চাওঁক, আপোনাৰ জ্ঞান আৰু ধনৰ মহত্ত্বৰ আধাও
মোক কোৱা নাছিল; মই যি কথা শুনিছিলোঁ, তাতকৈ আপোনাৰ গুণ
আধিক আছে। ৭ আপোনাৰ লোকসকল কেনে ধন্য আৰু আপোনাৰ যি
দাসবোৰে আপোনাৰ আগত সদায় থিয় হৈ আপোনাৰ জ্ঞানৰ কথা

শুনে, তেওঁলোক ধন্য। ৮ আপোনাৰ ঈশ্বৰ যিহোৱা ধন্য, আপোনাৰ ঈশ্বৰ যিহোৱাৰ বাবে ৰজা পাতিবলৈ, তেওঁ আপোনাৰ দৰে এজনক তেওঁৰ সিংহাসনত বহুৱাই নিশ্চয়ে সন্তুষ্ট। কিয়নো আপোনাৰ ঈশ্বৰে ইস্রায়েলক প্ৰেম কৰে, তেওঁলোকক নিৰ্দেশত সদাকালৰ বাবে ন্যায় আৰু ধাৰ্মিকতাৰে প্ৰতিস্থিত কৰিবলৈ তেওঁ আপোনাক তেওঁলোকৰ ওপৰত ৰজা পাতিলে।”
৯ তেখেতে ৰজাক এশ বিশ কিক্কৰ সোণ, অতি অধিক সুগন্ধি দ্ৰব্য, আৰু বহুমূল্য বাখৰ দিলে। চিবাৰ ৰাণীয়ে চলোমন ৰজাক দিয়া সুগন্ধি দ্ৰব্যৰ দৰে সুগন্ধি দ্ৰব্য তেওঁক আন কোনেও দিয়া নাছিল।
১০ হীৰম আৰু চলোমনৰ যি দাসবোৰে ওফীৰৰ পৰা সোণ আনিছিল, তেওঁলোকে অলগূম কাঠ আৰু বহুমূল্য বাখৰো আনিছিল।
১১ ৰজাই সেই অলগূম কাঠেৰে যিহোৱাৰ গৃহ আৰু ৰাজগৃহৰ বাবে জখলাবোৰ আৰু গায়কসকলৰ বাবে বীণা আৰু নেবল সজালে৷ তেনেকুৱা কাঠ আগেয়ে যিহূদা দেশত কোনেও কেতিয়াও দেখা নাছিল।
১২ পাছত চিবাৰ ৰাণীয়ে ৰজালৈ অনা বস্তুৰ সলনি ৰজাই যি বস্তু দিলে, তাৰ বাহিৰে চিবাৰ ৰাণীয়ে বিচৰা দৰে, তেওঁৰ সকলো মনৰ বাঞ্ছা তেওঁ পূৰ কৰিলে। পাছত ৰাণী আৰু তেওঁৰ দাসবোৰ নিজ দেশলৈ উলটি গ’ল।
১৩ এবছৰৰ ভিতৰত ছশ ছয়ষষ্ঠি কিক্কৰ সোণ চলোমনলৈ আহিল,
১৪ সেয়াও বেপাৰী আৰু বণিসকলে অনা সোণৰ বাহিৰে৷ আৰবৰ সকলো ৰজা আৰু দেশাধ্যক্ষসকলেও চলোমন ৰজালৈ সোণ আৰু ৰূপ আনিলে।
১৫ আৰু চলোমন ৰজাই সোণ পিটাই দুশ ঢাল কৰিলে৷ সোণ পিটাই কৰা প্ৰত্যেক ঢালত ছশ চেকল সোণ খৰচ হৈছিল৷
১৬ আৰু সোণ পিটাই তিনিশ ঢাল যুগুত কৰিলে৷ তাৰ প্ৰত্যেক ঢালত তিনিশ চেকল সোণ খৰচ হৈছিল; ৰজাই সেইবোৰ লিবানোনৰ কাঠনিৰ গৃহত ৰাখিলে।
১৭ ইয়াৰ বাহিৰে ৰজাই হাতী-দাঁতৰ এখন ডাঙৰ সিংহাসন সজাই তাৰ ওপৰত শুদ্ধ সোণৰ পতা মাৰিলে।
১৮ সেই সিংহাসনৰ ছখপিয়া খটখটি আছিল আৰু সিংহাসনত লগোৱা সোণৰ এখন ভৰি-পীৰা আছিল আৰু বহা ঠাইৰ দুয়োফালে দুখন হাত আছিল৷ সেই হাতৰ ওচৰত দুটা সিংহৰ মুৰ্ত্তি থিয় হৈ আছিল।
১৯ আৰু সেই ছয় খাপৰ ওপৰত দুই মুৰে বাৰটা সিংহৰ মুৰ্ত্তি থিয় হৈ আছিল।

এনেকুৱা সিংহাসন আন কোনো ৰাজ্যত সজা নাছিল। ২০ চলোমন
ৰজাৰ সকলো পান-পাত্ৰ সোণৰ আছিল আৰু লিবানোনৰ কাঠনিৰ
গৃহৰ সকলো পাত্ৰ শুদ্ধ সোণৰ আছিল; চলোমনৰ ৰাজত্বৰ কালত ৰূপ
একোৰো মাজত গণ্য নাছিল। ২১ কিয়নো হীৰমৰ দাসবোৰে সৈতে
তৰ্চীচলৈ যোৱা ৰজাৰ কেইখন মান জাহাজ আছিল৷ সেই তৰ্চীচৰ
জাহাজবোৰে সোণ, ৰূপ, হাতী-দাঁত, বান্দৰ, আদি লৈ প্ৰত্যেক তিনি
বছৰৰ মূৰত এবাৰ এবাৰ আহি আছিল। ২২ এইদৰে ঐশ্বৰ্য্য আৰু
জ্ঞানত চলোমন ৰজা পৃথিৱীত থকা সকলো ৰজাতকৈ প্ৰধান হ'ল।
২৩ ঈশ্বৰে চলোমনৰ মনত যি জ্ঞান দিছিল, তেওঁৰ সেই জ্ঞানৰ কথা
শুনিবলৈ পৃথিৱীৰ সকলো ৰজাই তেওঁৰ লগত সাক্ষাৎ কৰিবলৈ চেষ্টা
কৰিছিল। ২৪ আৰু প্ৰতিজনে নিজ নিজ উপহাৰ, ৰূপৰ আৰু সোণৰ
পাত্ৰ, বস্ত্ৰ, অস্ত্ৰ, সুগন্ধি দ্ৰব্য, ঘোঁৰা আৰু খছৰ এইবোৰ লৈ প্ৰতি বছৰে
বছৰে আহিছিল। ২৫ ঘোঁৰা আৰু ৰথৰ বাবে চলোমনৰ চাৰিহাজাৰ
ঘোঁৰাশাল আছিল আৰু তেওঁৰ বাৰ হাজাৰ অশ্বাৰোহী আছিল, আৰু
এওঁলোকক তেওঁ নানা ৰথ-নগৰত আৰু ৰজাৰ লগত যিৰূচালেমতো
ৰাখিলে। ২৬ আৰু ফৰাৎ নদীৰে পৰা পলেষ্টীয়াসকলৰ দেশলৈ আৰু
মিচৰৰ সীমালৈকে সকলো ৰজাসকলৰ ওপৰত তেওঁ শাসন কৰিছিল।
২৭ ৰজাই যিৰূচালেমত ৰূপক মাটিত থকা শিলৰ নিচিনা আৰু এৰচ
কাঠক নিম্ন ভূমিত থকা ডিমৰু গছৰ নিচিনা অধিক কৰিলে। ২৮
মিচৰৰ পৰা আৰু আন সকলো দেশৰ পৰা চলোমনৰ বাবে ঘোঁৰা
অনা হৈছিল। ২৯ চলোমনৰ অৱশিষ্ট কাৰ্যৰ আদ্যোপান্ত বিৱৰণ
নাথন ভাববাদীৰ পুস্তকখনত, চীলোনীয়া অহীয়াৰ ভাববাণীত, আৰু
নবাটৰ পুত্ৰ যাৰবিয়াম-বিষয়ক ইদ্দো দৰ্শক-পুস্তকখনত জানো লিখা
নাই? ৩০ এইদৰে চলোমনে যিৰূচালেমত থাকি সমুদায় ইস্ৰায়েলৰ
ওপৰত চল্লিশ বছৰ ৰাজত্ব কৰিলে। ৩১ পাছত চলোমন তেওঁৰ পূৰ্ব-
পুৰুষসকলৰ লগত নিদ্ৰিত হোৱাত তেওঁৰ পিতৃ দায়ূদৰ নগৰত তেওঁক
মৈদাম দিয়া হ'ল; আৰু তেওঁৰ পুত্ৰ ৰহবিয়াম তেওঁৰ পদত ৰজা হ'ল।
**১০** পাছত ৰহবিয়াম চিখিমলৈ গ'ল; কিয়নো তেওঁক ৰজা পাতিবলৈ
গোটেই ইস্ৰায়েল চিখিমলৈ গৈছিল। ২ এনেতে নবাটৰ পুত্ৰ যাৰবিয়ামে

সেই বার্ত্তা পালে, কিয়নো তেওঁ মিচৰত আছিল, চলোমন ৰজাৰ ভয়ত
তেওঁ মিচৰলৈ পলাই গৈছিল; তাৰ পাছত তেওঁ মিচৰৰ পৰা উলটি
আহিল৷ ৩ কিয়নো লোকসকলে মানুহ পঠিয়াই তেওঁক মতাই আনিছিল;
তাৰ পাছত যাৰবিয়াম আৰু গোটেই ইস্রায়েলে আহি ৰহবিয়ামক এই
কথা ক'লে, ৪ “আপোনাৰ পিতৃয়ে আমাৰ ওপৰত সহিব নোৱাৰা
যুৱলি দি গ'ল৷ এই হেতুকে আপোনাৰ পিতৃয়ে আমাক যি সহিব
নোৱাৰা দাস্যকৰ্মত লগাই দি গধুৰ যুৱলি দি গ'ল, আপুনি তাৰ কিছু
লঘূ কৰক, তেতিয়া আমি আপোনাৰ দাস হৈ থাকিম।” ৫ তেতিয়া
ৰহবিয়ামে তেওঁলোকক ক'লে, “তিনি দিনৰ পাছত তোমালোকে
আকৌ মোৰ ওচৰলৈ আহিবা।” তেতিয়া লোকসকল গুচি গ'ল। ৬
পাছত ৰজা ৰহবিয়ামে তেওঁৰ পিতৃ চলোমন জীৱিত থকা কালত যি
বৃদ্ধসকল তেওঁৰ আগত থিয় দি আছিল তেওঁলোকৰ লগত মন্ত্ৰণা কৰি
সুধিলে, “মই সেই লোকসকলক উত্তৰ দিবলৈ তোমালোকে কি পৰামৰ্শ
দিয়া?” ৭ তেওঁলোকে তেওঁক ক'লে, “আপুনি যদি সেই লোকসকললৈ
মৰমীয়াল হৈ তেওঁলোকক সন্তুষ্ট কৰে আৰু তেওঁলোকক ভাল কথা
কয়, তেন্তে তেওঁলোক চিৰকাললৈকে আপোনাৰ দাস হৈ থাকিব।”
৮ কিন্তু ৰহবিয়ামক বৃদ্ধসকলে দিয়া পৰামৰ্শ অৱজ্ঞা কৰি, যিসকল
তেওঁৰে লগত একে সমানে ডাঙৰ-দীঘল হোৱা ডেকাসকল তেওঁৰ
আগত থিয় দি আছিল, তেওঁলোকৰ সৈতে মন্ত্ৰণা কৰিলে। ৯ তেওঁ
তেওঁলোকক ক'লে, “মোৰ আগত কোৱা সেই লোকসকলক আমি
উত্তৰ দিবৰ বাবে তোমালোকে কি পৰামৰ্শ দিবা, সেই লোকসকলে
মোক এইদৰে ক'লে, বোলে, ‘আপোনাৰ পিতৃয়ে আমাৰ ওপৰত যি
যুৱলি দি গ'ল, তাৰ কিছু লঘূ কৰক'?” ১০ তেওঁৰ একে সমানে ডাঙৰ-
দীঘল হোৱা সেই ডেকাসকলে তেওঁক ক'লে, “আপোনাৰ পিতৃয়ে
আমাৰ ওপৰত গধুৰ যুৱলি দি গ'ল কিন্তু আপুনি তাৰ কিছু লঘূ কৰক
বুলি আপোনাৰ আগত কোৱা লোকসকলক সেই কথা কওঁক, ‘মোৰ
কেঁঞা আঙুলিটো মোৰ পিতৃৰ ককালতকৈয়ো ডাঙৰ। ১১ এই হেতুকে
শুনা, মোৰ পিতৃয়ে তোমালোকৰ ওপৰত গধূৰ যুৱলি দি গ'ল, কিন্তু মই
তাক পুনৰ গধূৰ কৰিম৷ মোৰ পিতৃয়ে তোমালোকক চাবুকেৰে শাস্তি

দিছিল, কিন্তু মই হ'লে তোমালোকক কেঁকোৰাবিছাৰে শাস্তি দিম',
এইদৰেই আপুনি তেওঁলোকক কওক৷" ১২ পাছত "তৃতীয়দিনা মোৰ
ওচৰলৈ আকৌ আহিবা", ৰজাই কোৱা এই কথাৰ দৰেই যাৰবিয়াম
আদি সকলো লোক তৃতীয় দিনা ৰহবিয়ামৰ ওচৰলৈ আহিল। ১৩
তাতে ৰজাই তেওঁলোকক টান টান কথাৰে উত্তৰ দিলে; ৰহবিয়াম
ৰজাই বৃদ্ধসকলৰ পৰামৰ্শ অৱজ্ঞা কৰিলে৷ ১৪ সেই ডেকাসকলৰ
পৰামৰ্শ অনুসাৰে তেওঁলোকক তেওঁ এই কথা কলে, "মোৰ পিতৃয়ে
তোমালোকক দিয়া যুৱলি তাতোকৈ অধিক গধুৰ কৰিম; ইয়াত
মই পুনৰ যোগ দিম৷ মোৰ পিতৃয়ে তোমালোকক চাবুকেৰে শাস্তি
দিছিল, কিন্তু মই হ'লে তোমালোকক কেঁকোৰাবিছাৰে শাস্তি দিম।"
১৫ এইদৰে ৰজাই লোকসকলৰ কথা নুশুনিলে; কিয়নো চীলোনীয়া
অহীয়াৰ দ্বাৰাই দিয়া নবাটৰ পুত্ৰ যাৰবিয়ামক যিহোৱাই কোৱা নিজ
বাক্য সিদ্ধ কৰিবৰ অৰ্থে ঈশ্বৰৰ পৰাহে এই ঘটনা ঘটিল। ১৬ যেতিয়া
ইস্রায়েলৰ লোকসকলে দেখিলে যে, ৰজাই তেওঁলোকৰ কথা শুনা নাই
তেতিয়া তেওঁলোকে ৰজাক উত্তৰ দিলে আৰু ক'লে, "দায়ূদৰ ওচৰত
আমাৰ কি অংশ আছে? যিচয়ৰ পুত্ৰৰ ওচৰত আমাৰ কোনো অধিকাৰ
নাই! হে ইস্রায়েল, তোমালোকে নিজ নিজ তম্বুলৈ যোৱা৷ হে দায়ুদ,
তুমি এতিয়া নিজ বংশলৈ চোৱা।" এইদৰে সমুদায় ইস্রায়েল নিজ
নিজ তম্বুলৈ পুনৰ উভতি গ'ল। ১৭ কিন্তু যিহূদাৰ নগৰবোৰত বাস
কৰা ইস্রায়েলৰ সন্তান সকলৰ ওপৰত হ'লে ৰহবিয়ামে ৰাজত্ব কৰি
থাকিল। ১৮ পাছত ৰজা ৰহবিয়ামে বন্দী-কাম কৰাসকলৰ অধ্যক্ষ
হদোৰামক পঠিয়াওতে, ইস্রায়েলৰ সন্তান সকলে তেওঁলৈ এনেদৰে
শিল দলিয়ালে যে, যাৰ ফলত তেওঁ তাতে মৰিলে৷ ৰজা ৰহবিয়ামে
নিজৰ ৰথত উঠি বেগাবেগীকৈ যিৰূচালেমলৈ পলাই গ'ল। ১৯ এইদৰে
ইস্রায়েলে দায়ূদৰ বংশৰ বিৰুদ্ধে আজিলৈকে সেই ভাবেৰেই বিদ্রোহ
আচৰণ কৰি আছে।

**১১** ৰহবিয়ামে যেতিয়া যিৰূচালেমলৈ আহিল, তেতিয়া ৰহবিয়ামে
ৰাজ্য পুনৰাই নিজৰ অধীনলৈ আনিবৰ বাবে ইস্রায়েলৰ বিৰুদ্ধে যুদ্ধ
কৰিবৰ বাবে যিহূদা আৰু বিন্যামীন গোষ্ঠীৰ পৰা এক লাখ আশী হাজাৰ

মনোনীত সৈনিক গোটালে। ২ কিন্তু ঈশ্বৰৰ লোক চময়িয়াৰ ওচৰলৈ
যিহোৱাৰ বাক্য আহিল, বোলে, ৩ “তুমি যিহূদাৰ ৰজা চলোমনৰ পুত্ৰ
ৰহবিয়ামক আৰু যিহূদা ও বিন্যামীনত থকা গোটেই ইস্ৰায়েলক কোৱা,
৪ ‘যিহোৱাই এই কথা কৈছে: তোমালোকে নিজ ভাইসকলৰ বিৰুদ্ধে
যুদ্ধ নকৰিবা৷ প্ৰতিজনে নিজ নিজ ঘৰলৈ ঘূৰি যাব লাগিব কিয়নো
মোৰ দ্বাৰাইহে এই কথা হৈছে’।” তেতিয়া তেওঁলোকে যিহোৱাৰ
বাক্যলৈ কাণ দিলে আৰু যাৰবিয়ামৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ যোৱাৰ পৰা
উভতি গ’ল। ৫ ৰহবিয়ামে যিৰূচালেমত বাস কৰি দেশ ৰক্ষাৰ অৰ্থে
যিহূদাত নানা নগৰ সাজিলে। ৬ তেওঁ বৈৎলেহেম, এটম, তকোৱা, ৭
বৈৎ-চুৰ, চোকো, অদুল্লম, ৮ গাত, মাৰেচা, জীফ, ৯ অদোৰয়িম,
লাখীচ, অজেকা, ১০ চৰা, অয়ালোন, হিব্ৰোণ আদি যিহূদাত আৰু
বিন্যামীনত থকা এইবোৰ নগৰ গড়েৰে আবৃত কৰি সুসজ্জিত কৰিলে।
১১ তেওঁ এই আটাইবোৰ দুৰ্গ সুসজ্জিত কৰি, সেই বোৰৰ মাজত
সেনাপতিসকলক ৰাখিলে আৰু খোৱা বস্তু, তেল আৰু দ্ৰাক্ষাৰসৰ
ভঁৰাল পাতিলে। ১২ তেওঁ প্ৰত্যেক নগৰত ঢাল আৰু বৰচা ৰাখিলে
আৰু নগৰবোৰ অতি সুসজ্জিত কৰিলে। যিহূদা আৰু বিন্যামীন তেওঁৰ
অধীনত আছিল। ১৩ গোটেই ইস্ৰায়েলৰ মাজত যি যি পুৰোহিত আৰু
লেবীয়াসকল আছিল, তেওঁলোকে তেওঁলোকৰ সকলো অঞ্চলৰ পৰা
তেওঁৰ ওচৰলৈ আহিল। ১৪ কিয়নো লেবীয়াসকলে নিজ নিজ চৰণীয়া
ঠাই আৰু নিজ নিজ উত্তৰাধীকাৰ এৰি যিহূদা আৰু যিৰূচালেমলৈ
আহিল কিয়নো যাৰবিয়াম আৰু তেওঁৰ পুত্ৰসকলে তেওঁলোকক
যিহোৱাৰ উদ্দেশ্যে পুৰোহিতৰ কৰ্ম কৰিবলৈ নিদি তেওঁলোকক খেদি
দিছিল৷ ১৫ যাৰবিয়ামে তেওঁৰ নিজৰ কাৰণে নিজে সজা দামুৰি আৰু
ছাগলীৰ প্ৰতিমা আৰু তাৰ বাবে পুৰোহিতসকলক পবিত্ৰ ঠাইবোৰৰ
কাৰণে নিযুক্ত কৰিছিল। ১৬ ইস্ৰায়েলৰ সকলো ফৈদৰ লোকসকলৰ
মাজত, যিসকলৰ ঈশ্বৰ যিহোৱাক বিচাৰিবৰ মন আছিল, তেওঁলোকে
লেবীয়াসকলৰ অনুগামী হৈ তেওঁলোকৰ ওপৰ পিতৃসকলৰ ঈশ্বৰ
যিহোৱাৰ উদ্দেশ্যে বলিদান কৰিবলৈ যিৰূচালেমলৈ আহিল। ১৭
এইদৰে তেওঁলোকে তিনি বছৰলৈকে যিহূদাৰ ৰাজ্য শক্তিশালী

কৰিলে আৰু চলোমনৰ পুত্ৰ ৰহবিয়ামক সবল কৰিলে - কিয়নো তিনি
বছৰলৈকে তেওঁলোকে দায়ুদ আৰু চলোমনৰ পথত চলিছিল। ১৮
ৰহবিয়ামে দায়ূদৰ পুত্ৰ যিৰিমোতৰ জীয়েক মহলতক বিয়া কৰিলে।
যিচয়ৰ পুত্ৰ ইলীয়াবৰ জীয়েক অবিহয়িল তাইৰ মাক আছিল। ১৯ সেই
মহিলা মহলতে যিয়ুচ, চমৰিয়া আৰু জহম, এইকেইজন পুত্ৰ তেওঁলৈ
প্ৰসৱ কৰিলে। ২০ মহলতৰ পাছত তেওঁ অবচালোমৰ জীয়েক মাখাক
বিয়া কৰিলে; এই মহিলা মাথাই তেওঁলৈ অবিয়া, অত্তয়, জীজা আৰু
চলোমীতক প্ৰসৱ কৰিলে। ২১ ৰহবিয়ামে তেওঁৰ সকলো পত্নী আৰু
উপপত্নীৰ মাজত অবচালোমৰ জীয়েক মাখাক সকলোতকৈ ভাল
পাইছিল কিয়নো তেওঁৰ ওঠৰ গৰাকী পত্নী আৰু ষাঠী গৰাকী উপপত্নী
গ্ৰহণ কৰিছিল; আৰু আঠাইশজন পুতেক আৰু ষাঠিজন জীয়েকৰ পিতৃ
হৈছিল৷ ২২ পাছত ৰহবিয়ামে মাখাৰ পুত্ৰ অবিয়াক প্ৰধান অৰ্থাৎ নিজৰ
ভাইসকলৰ মাজত অধ্যক্ষ পাতিলে; কিয়নো তেওঁক ৰজা পাতিবলৈ
তেওঁ মন কৰিছিল। ২৩ ৰহবিয়ামে জ্ঞানেৰে ৰাজত্ব কৰিলে; যিহূদা
আৰু বিন্যামীন দেশৰ সকলোফালে, তেওঁৰ সকলো পুত্ৰসকলক,
গড়েৰে আবৃত থকা প্ৰত্যেক নগৰত বেলেগ বেলেগকৈ নিযুক্ত কৰিলে;
আৰু তেওঁলোকক অধিক খোৱা বস্তু দিলে আৰু তেওঁলোকৰ বাবে
অনেক পত্নী বিচাৰি দিলে৷

**১২** যেতিয়া ৰহবিয়ামৰ ৰাজ্য প্ৰতিষ্ঠিত আৰু তেওঁ শক্তিশালী হ'ল,
তেতিয়া তেওঁ আৰু তেওঁৰে সৈতে গোটেই ইস্ৰায়েলে যিহোৱাৰ বিধি
ত্যাগ কৰিলে। ২ তেতিয়া এই ঘটনা ঘটিছিল, সেয়া আছিল ৰজা
ৰহবিয়ামৰ ৰাজত্বৰ পঞ্চম বছৰ; মিচৰৰ ৰজা চীচকে যিৰূচালেমৰ
বিৰোদ্ধ কৰিলে৷ কাৰণ তেওঁলোকে যিহোৱাৰ প্ৰতি অবিশ্বাসী আছিল৷ ৩
তেওঁ বাৰশ ৰথ আৰু ষাঠী হাজাৰ অশ্বাৰোহী লগত লৈ আহিছিল৷ তেওঁৰ
লগত মিচৰৰ পৰা লুবীয়া, চুক্কীয়া আৰু কুচীয়া লোকসকল অসংখ্যৰূপে
আহিছিল। ৪ তেওঁ গড়েৰে আবৃত থকা যিহূদাৰ নগৰবোৰ আটক
কৰি যিৰূচালেমলৈ আহিছিল। ৫ সেই সময়ত চময়িয়া ভাববাদীয়ে
ৰহবিয়ামৰ ওচৰলৈ আৰু চীচকৰ ভয়ত যিৰূচালেমত গোট খোৱা
যিহূদাৰ অধ্যক্ষসকলৰ ওচৰলৈ আহিল আৰু তেওঁলোকক ক'লে,

“যিহোৱাই এই কথা কৈছে: ‘তোমালোকে মোক ত্যাগ কৰিলা, এই
কাৰণে ময়ো তোমালোকক ত্যাগ কৰি চীচকৰ হাতত দিলোঁ’।” ৬
তেতিয়া ইস্রায়েলৰ ৰাজকুমাৰ আৰু ৰজাই নিজকে নম্র কৰি ক’লে,
“যিহোৱা ন্যায়বান।” ৭ তেতিয়া যিহোৱাই তেওঁলোকক নম্র হোৱা দেখি
চময়িয়াৰ ওচৰলৈ যিহোৱাৰ এই বাক্য আহিল, বোলে, “তেওঁলোক
নম্র হ’ল৷ মই তেওঁলোকক বিনষ্ট নকৰোঁ; কিন্তু অলপ সময়ৰ কাৰণেহে
তেওঁলোকক উদ্ধাৰ কৰিম আৰু চীচকৰ হাতৰ দ্বাৰাই যিৰূচালেমৰ
ওপৰত মোৰ ক্ৰোধ ঢলা নাযাব। ৮ তথাপি তেওঁলোকে তেওঁৰ দাস
হ’ব, যাতে তেওঁলোকে বুজি পায় মোক সেৱা কৰিলে কি হয় আৰু
অন্য দেশীয় শাসনকৰ্তাক সেৱা কৰিলে কি হয়৷” ৯ পাছত মিচৰৰ
ৰজা চীচকে যিৰূচালেমৰ বিৰুদ্ধে আহিল আৰু যিহোৱাৰ গৃহৰ লগতে
ৰাজ গৃহত সাঁচি থোৱা বস্তুবোৰ লৈ গ’ল৷ তেওঁ সকলোকে নিলে আৰু
চলোমনে সজোৱা সোণৰ ঢালবোৰো লৈ গ’ল। ১০ তেতিয়া ৰজা
ৰহবিয়ামে সেইবোৰৰ সলনি পিতলৰ ঢাল সাজিলে আৰু ৰাজ গৃহৰ
দুৱাৰ ৰখীয়া প্ৰহৰীবোৰৰ অধ্যক্ষসকলৰ হাতত শোধাই দিলে। ১১
এইদৰে ৰজা যেতিয়া যিহোৱাৰ গৃহলৈ আহে, তেতিয়া প্ৰহৰীবোৰে সেই
ঢালবোৰ উলিয়াই আনে; পাছত পুনৰ প্ৰহৰীৰ কোঁঠাত সেইবোৰ থৈ
দিয়ে৷ ১২ ৰহবিয়াম নম্র হোৱাৰ পাছত যিহোৱাৰ ক্ৰোধ ক্ষান্ত হ’ল৷ তেওঁ
ৰহবিয়ামক সম্পূৰ্ণৰূপে বিনষ্ট নকৰিলে; আনহাতে যিহূদাৰ মাজতো
লোকৰ সদ্ভাৱ আছিল। ১৩ ক্ৰমশঃ ৰজা ৰহবিয়ামে যিৰূচালেমত
তেওঁৰ ৰাজপদ শক্তিশালী কৰি, ৰাজত্ব কৰিবলৈ ধৰিলে। যেতিয়া
ৰহবিয়ামৰ বয়স একচল্লিশ বছৰ আছিল, তেতিয়া ৰাজত্ব কৰিবলৈ
লৈছিল। তেওঁ যিৰূচালেমত সোঁতৰ বছৰ ৰাজত্ব কৰিছিল। যিহোৱাই
নিজ নাম স্থাপন কৰিবৰ বাবে ইস্রায়েলৰ সকলো ফৈদৰ মাজৰ পৰা
তেওঁক মনোনীত কৰিছিল। তেওঁৰ মাকৰ নাম নয়মা আছিল, তেওঁ
অম্মোনীয়া আছিল। ১৪ কিন্তু তেওঁ কু-আচৰণ কৰিছিল, কিয়নো তেওঁ
যিহোৱাক বিচাৰ কৰিবলৈ নিজৰ মন স্থিৰ কৰা নাছিল। ১৫ ৰহবিয়ামে
যি যি কৰিছিল, সেই সকলো বিষয় প্ৰথমৰ পৰা শেষলৈকে চময়িয়া
ভাববাদী আৰু ইদ্দো দৰ্শকৰ ইতিহাস পুস্তক দুখনত বংশাৱলীসহ

সবিশেষ লিখা আছে। ৰহবিয়াম আৰু যাৰবিয়ামৰ মাজত সদায় যুদ্ধ
লাগি আছিল। ১৬ পাছত ৰহবিয়ামে তেওঁৰ পূৰ্ব-পুৰুষসকলৰ লগত
নিদ্ৰিত হ'ল আৰু দায়ূদৰ নগৰত তেওঁক মৈদাম দিয়া হ'ল; তেতিয়া
তেওঁৰ পুত্ৰ অবিয়া তেওঁৰ পদত ৰজা হ'ল।

**১৩** যাৰবিয়াম ৰজাৰ ৰাজত্বৰ অষ্টাদশ বছৰত অবিয়াই যিহূদাৰ
ওপৰত ৰাজত্ব কৰিবলৈ ধৰিলে৷ ২ তেওঁ তিনি বছৰ যিৰূচালেমত ৰাজত্ব
কৰিলে; তেওঁৰ মাতৃৰ নাম মীখায়া আছিল৷ তেখেত গিবিয়া নিবাসী
উৰিয়েলৰ জীয়েক আছিল। সেই সময়ত অবিয়া আৰু যাৰবিয়ামৰ
মাজত যুদ্ধ চলি আছিল। ৩ অবিয়াই যুদ্ধাৰু বীৰ পুৰুষ থকা সৈন্য
সামন্তৰ চাৰি লাখ মনোনীত লোক লগত লৈ যুদ্ধ কৰিবলৈ গ'ল৷
যাৰবিয়ামে আঠ লাখ মনোনীত বলৱান বীৰপুৰুষ লগত লৈ তেওঁৰ
বিৰুদ্ধে বেহু পাতিলে। ৪ অবিয়াই ইফ্ৰয়িমৰ পৰ্বতীয়া অঞ্চলত থকা
চমাৰয়িম পৰ্বতৰ ওপৰত থিয় হৈ ক'লে, “হে যাৰবিয়াম আৰু গোটেই
ইস্ৰায়েল লোক, মোৰ কথা শুনা! ৫ ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাই যে
ইস্ৰায়েলৰ ৰাজ্যভাৰ চিৰকাললৈকে দায়ূদক আৰু তেওঁৰ সন্তান সকলক
পৰম্পৰাগত এটি নিয়মেৰে দিলে, সেই বিষয়ে জানো তোমালোকে
নাজানা? ৬ তথাপি দায়ূদৰ পুত্ৰ চলোমনৰ দাস নবাটৰ পুত্ৰ যাৰবিয়াম
তেওঁৰ প্ৰভুৰ বিৰুদ্ধে উঠি বিদ্ৰোহী হ'ল; ৭ আৰু কেতবোৰ পাষণ্ড
ও অসাৰ চিত্তৰ লোকসকল তেওঁৰ ওচৰত গোট খালে৷ তেওঁলোকে
চলোমনৰ পুত্ৰ ৰহবিয়ামৰ বিৰুদ্ধে নিজকে সবল কৰিলে; যেতিয়া
ৰহবিয়াম ডেকা আৰু অনভিজ্ঞ হোৱাত তেওঁলোকৰ আগত নিজকে
সবল কৰিব নোৱাৰিছিল। ৮ আৰু এতিয়া তোমালোকে দায়ূদৰ সন্তান
সকলৰ হাতত থকা যিহোৱাৰ ৰাজ্যৰ বিৰুদ্ধে নিজকে সবল কৰিব
পাৰিম বুলি ভাবিছাহঁক৷ তোমালোক অতিশয় এক বৃহৎ সৈন্যৰ দল
আৰু দেৱতা স্বৰূপে তোমালোকৰ বাবে যাৰবিয়ামে সজা সোণৰ দামুৰি
কেইটা তোমালোকৰ লগত আছে। ৯ তোমালোকে যিহোৱাৰ পুৰোহিত
হাৰোণৰ সন্তান সকলক আৰু লেবীয়াসকলক খেদি দিয়া নাই জানো?
অন্য দেশীয় জাতিবোৰৰ দৰে নিজৰ বাবে পুৰোহিত পাতি লোৱা নাই
জানো? ইয়াতে যিজনে এটা দমৰা আৰু সাতোটা মেৰ লৈ নিজকে

পুৰোহিত কৰাবলৈ আহে, তেওঁ সেই ঈশ্বৰ নোহোৱাবোৰৰ পুৰোহিত
হ'ব পাৰে। ১০ কিন্তু আমাৰ বাবে হ'লে যিহোৱাই আমাৰ ঈশ্বৰ
আৰু আমি তেওঁক ত্যাগ কৰা নাই৷ আৰু যিহোৱাৰ পৰিচৰ্যা কৰোঁতা
পুৰোহিত হাৰোণৰ সন্তান সকল, আৰু নিজ নিজ কামত লাগি থকা
লেবীয়াসকল আমাৰ আছে৷ ১১ তেওঁলোকে যিহোৱাৰ উদ্দেশ্যে প্রতি
দিনে ৰাতিপুৱা আৰু সন্ধিয়া বেলা হোম-বলি উৎসৰ্গ কৰে আৰু সুগন্ধি
ধূপ জ্বলায়৷ আৰু পবিত্র মেজৰ ওপৰত যিহোৱাৰ আগত দিয়া পিঠা
সজায় ৰাখে আৰু সন্ধিয়া বেলা জ্বলাবৰ বাবে প্ৰদীপবোৰৰ সৈতে
সোণৰ দীপাধাৰ যুগুতাই থয়৷ কিয়নো আমি আমাৰ ঈশ্বৰ যিহোৱাৰ
আজ্ঞা পালন কৰোঁ, কিন্তু তোমালোকে তেওঁক ত্যাগ কৰিলা। ১২ আৰু
চোৱা, ঈশ্বৰ আমাৰ সঙ্গী হৈ আমাৰ আগত যাওঁতা হৈছে; আৰু তেওঁৰ
পুৰোহিতসকল তোমালোকৰ বিৰুদ্ধে মহাধ্বনি কৰা তেওঁলোকৰ
তূৰীও আছে। হে ইস্রায়েলৰ সন্তান সকল, তোমালোকে তোমালোকৰ
পূৰ্বপুৰুষসকলৰ ঈশ্বৰ যিহোৱাৰ বিৰুদ্ধে যুদ্ধ নকৰিবা, কিয়নো তেতিয়া
তোমালোকে কৃতকাৰ্য্য নহ'বা৷ ১৩ কিন্তু যাৰবিয়ামে তেওঁলোকক
আক্রমণ কৰিবৰ অৰ্থে যুগুত হ'ল আৰু গুপুতে এদল সৈন্য তেওঁলোকৰ
পাছ ফাললৈ ঘূৰাই পঠালে; তাতে এদল লোক যিহূদাৰ আগফালে
আৰু সেই গুপুতে পঠোৱা দলটো তেওঁলোকৰ পাছফালে আছিল।
১৪ পাছত যিহূদাৰ লোকসকলে মুখ ঘূৰাই যেতিয়া তেওঁলোকৰ
আগফালে আৰু পাছফালে যুদ্ধ হোৱা দেখিলে, তেতিয়া তেওঁলোকে
যিহোৱাৰ আগত কাতৰোক্তি কৰিবলৈ ধৰিলে আৰু পুৰোহিতসকলে
তূৰী বজালে; ১৫ তেতিয়া যিহূদাৰ লোকসকলে সিংহনাদ কৰি উঠিল;
যিহূদাৰ লোকসকলে এনে সিংহনাদ কৰোঁতে, ঈশ্বৰে অবিয়াৰ আৰু
যিহূদাৰ আগত যাৰবিয়ামক আৰু গোটেই ইস্রায়েলক প্রহাৰ কৰিলে।
১৬ তেতিয়া ইস্রায়েলৰ লোকসকলে যিহূদাৰ সন্মুখৰ পৰা পলাল
অাৰু ঈশ্বৰে তেওঁলোকক যিহূদাৰ হাতত শোধাই দিলে। ১৭ অবিয়া
আৰু তেওঁৰ লোকসকলে তেওঁলোকৰ মাজত মহা সংহাৰেৰে সংহাৰ
কৰিলে; তাতে ইস্রায়েলৰ মাজত পাঁচলাখ মনোনীত লোকৰ মৃত্যু হ'ল।
১৮ এইদৰে সেই সময়ত ইস্রায়েলৰ সন্তান সকলক বশ কৰা হ'ল;

যিহূদাৰ সন্তান সকল জয়ী হ’ল, কিয়নো তেওঁলোকৰ পূৰ্বপুৰুষসকলৰ
ঈশ্বৰ যিহোৱাৰ ওপৰত তেওঁলোকে ভাৰসা ৰাখিছিল। ১৯ পাছত
অবিয়াই যাৰবিয়ামৰ পাছে পাছে খেদি গৈ, তেওঁৰ খনদিয়েক নগৰ
অৰ্থাৎ বৈৎএল আৰু তাৰ উপনগৰ, যচানা আৰু তাৰ উপনগৰ আৰু
ইফ্ৰোণ আৰু তাৰ উপনগৰবোৰ অধিকাৰ ল’লে। ২০ অবিয়াৰ দিনত
যাৰবিয়াম কেতিয়াও বলৱান হ’ব নোৱাৰিলে৷ পাছত যিহোৱাই তেওঁক
প্ৰহাৰ কৰাত, তেওঁৰ মৃত্যু হ’ল। ২১ কিন্তু অবিয়া বলৱান হৈ উঠিল;
তেওঁ চৌদ্ধ গৰাকী মহিলা বিয়া কৰালে৷ তেওঁৰ ঔৰসত বাইশজন
পুতেক আৰু ষোল্লজনী জীয়েক জন্ম লৈছিল। ২২ অবিয়াৰ অৱশিষ্ট
বৃত্তান্ত, তেওঁৰ কাৰ্য আৰু তেওঁ কোৱা কথা ইদ্দো ভাববাদীৰ টীকা
শাস্ত্ৰখনত লিখা আছে।

**১৪** পাছত অবিয়া তেওঁৰ ওপৰ পিতৃসকলৰ লগত নিদ্ৰিত হ’ল আৰু
লোকসকলে দায়ূদৰ নগৰত তেওঁক মৈদাম দিলে৷ পাছত তেওঁৰ পুত্ৰ
আচা তেওঁৰ পদত ৰজা হ’ল। এওঁৰ ৰাজত্বৰ কালত দহ বছৰলৈকে
দেশ সুস্থিৰে আছিল৷ ২ আচাই ঈশ্বৰ যিহোৱাৰ দৃষ্টিত যি ভাল আৰু
ন্যায়, তাকে কৰিছিল। ৩ কিয়নো তেওঁ পৰজাতীয় যজ্ঞবেদী আৰু ওখ
ঠাইবোৰ আতৰাই পেলাইছিল, স্তম্ভবোৰ ভাঙি পেলাইছিল আৰু আচেৰা
মুৰ্ত্তিবোৰ খণ্ড-বিখণ্ড কৰি কাটিছিল৷ ৪ তেওঁ যিহূদাক তেওঁলোকৰ
ওপৰ-পিতৃসকলৰ ঈশ্বৰ যিহোৱাক পাবৰ বাবে ব্যৱস্থা আৰু আজ্ঞাবোৰ
পালন কৰিবলৈ আদেশ দিছিল। ৫ আনকি তেওঁ যিহূদাৰ সকলো
নগৰৰ পৰা ওখ ঠাই আৰু সূৰ্যৰ প্ৰতিমাবোৰো আতৰাই পেলাইছিল৷
আৰু তেওঁৰ ৰাজ্য সুস্থিৰে আছিল। ৬ পাছত তেওঁ যিহূদাত গড়েৰে
আবৃত কৰি কেইবাখনো নগৰ সুসজ্জিত কৰি সাজিছিল৷ কিয়নো
যিহোৱাই তেওঁৰ ওপৰত শান্তি প্ৰদান কৰা বাবে দেশ সুস্থিৰে আছিল
আৰু সেই সময়ত কেইবা বছৰলৈকে কাৰো লগত তেওঁৰ যুদ্ধ হোৱা
নাছিল। ৭ কাৰণ আচাই যিহূদাক কৈছিল, “আহা, আমি এই নগৰ
কেইখন সুসজ্জিত কৰোঁহক আৰু এইবোৰৰ চাৰিওফালে গড় আৰু
কোঁঠ সাজোঁ, দুৱাৰ আৰু ডাং দিওঁ; দেশখন এতিয়ালৈকে আমাৰেই
হৈ আছে, কিয়নো আমি আমাৰ ঈশ্বৰ যিহোৱাক বিচাৰিলোঁ৷ আমি

তেওঁক বিচৰিলোঁ আৰু তেওঁ সকলো ফালৰ পৰা আমাৰ ওপৰত
শান্তি প্ৰদান কৰিলে।” এইদৰে তেওঁলোকে সেইবোৰ নগৰ সাজিলে
আৰু কৃতকাৰ্য্যও হ’ল। ৮ আচা’ৰ ঢাল আৰু যাঠী ধৰা সৈন্য সমূহ
হ’ল, যিহূদাৰ তিনি লাখ আৰু বিন্যামীনৰ ঢাল আৰু ধনু ধৰা দুই লাখ
আশী হাজাৰ সৈন্য আছিল৷ এওঁলোক সকলো পৰাক্ৰমী বীৰপুৰুষ
আছিল। ৯ পাছত কুচদেশীয় জেৰহে দহ লাখ সৈন্য আৰু তিনিশ
ৰথ লগত লৈ, তেওঁলোকৰ বিৰুদ্ধে যাত্ৰা কৰি মাৰেচা পালেহি। ১০
তেতিয়া আচা’ই তেওঁৰ বিৰুদ্ধে যাত্ৰা কৰি তেওঁলোকে মাৰেচাৰ
ওপৰৰ চফাতা উপত্যকাত বেহু পাতিলে। ১১ তেতিয়া আচা’ই তেওঁৰ
ঈশ্বৰ যিহোৱাৰ আগত প্ৰাৰ্থনা কৰি ক’লে, “হে যিহোৱা, তুমি সহায়
কৰিবলৈ গ’লে, তোমাৰ আগত বলী আৰু নিৰ্ব্বলীৰ মাজত একো
ভেদ নাই। হে আমাৰ ঈশ্বৰ যিহোৱা, আমাক সহায় কৰা; কিয়নো
আমি তোমাৰ ওপৰত ভাৰসা কৰোঁ আৰু তোমাৰ নামেৰেই এই
লোকাৰণ্যৰ বিৰুদ্ধে আহিলোঁ। হে যিহোৱা, তুমিয়েই আমাৰ ঈশ্বৰ;
তোমাৰ আগত মৰ্ত্ত্য প্ৰবল নহওঁক৷” ১২ তেতিয়া যিহোৱাই আচাৰ
আৰু যিহূদাৰ আগত কুচীয়াসকলক ঘটোৱাত, কুচিয়াসকল পলাল।
১৩ তাতে আচা আৰু তেওঁৰ লগৰ সৈন্যসকলে গৰাৰলৈকে সিহঁতৰ
পাছে পাছে খেদি গ’ল৷ গতিকে কুচীয়াসকলৰ অনেক লোক ইমানকৈ
মৰা পৰিল যে, সিহঁতে পুনৰায় সবল হ’ব নোৱাৰিলে, কাৰণ যিহোৱা
আৰু তেওঁৰ সৈন্যসামন্তৰ আগত সিহঁত বিনষ্ট হ’ল; আৰু লোকসকলে
অধিক অধিক লুটদ্ৰব্য নিলে। ১৪ তেওঁলোকে গৰাৰৰ চাৰিওফালে
থকা আটাইবোৰ নগৰ ধ্বংস কৰি জয় কৰি ল’লে, কিয়নো যিহোৱাৰ
ত্ৰাস তেওঁলোকৰ ওপৰলৈ আহিল৷ আৰু তেওঁলোকে আটাইবোৰ নগৰ
লুট কৰিলে, কাৰণ সেইবোৰত অনেক লুট দ্ৰব্য আছিল। ১৫ আৰু
তেওঁলোকে তম্বু-নিবাসীসকলক প্ৰহাৰ কৰি বহুত মেৰ, ছাগলী আৰু
উট লৈ, যিৰূচালেমলৈ উলটি আহিল।

**১৫** পাছত ওদেদ’ৰ পুত্ৰ অজৰিয়াত ঈশ্বৰৰ আত্মা স্থিতি হ’ল৷ ২
তেওঁ ওলাই গৈ আচা’ৰ লগত সাক্ষাৎ কৰি তেওঁক ক’লে, “হে আচা,
আৰু হে যিহূদাৰ আৰু বিন্যামীনৰ আটাই লোকসকল, তোমালোকে

মোৰ কথা শুনা: তোমালোক যেতিয়ালৈকে যিহোৱাৰ লগত থাকিবা,
তেতিয়ালৈকে তেৰোঁ তোমালোকৰ লগত আছে৷ যদি তোমালোকে
তেওঁক বিচাৰা, তোমালোকে তেওঁক পাবা; কিন্তু যদি তোমালোকে
তেওঁক ত্যাগ কৰা, তেন্তে তেৰোঁ তোমালোকক ত্যাগ কৰিব। ৩
এতেকে বহু কাললৈকে ইস্রায়েলে সত্যময় ঈশ্বৰ-বিহীন, শিক্ষা দিওঁতা
পুৰোহিত বিহীন আৰু ব্যৱস্থা-বিহীন হৈ আছিল৷ ৪ কিন্তু সঙ্কটৰ
সময়ত যেতিয়া তেওঁলোকে ইস্রায়েলৰ ঈশ্বৰ যিহোৱালৈ ঘূৰি তেওঁক
বিচাৰিলে, তেতিয়া তেওঁ নিজকে তেওঁলোকক পাবলৈ দিছিল। ৫
সেই সময়ত যি লোক বাহিৰলৈ গৈছিল বা ভিতৰলৈ আহিছিল, সেই
লোকৰ কোনো শান্তি নাছিল; কিন্তু দেশ নিবাসী সকলো লোকলৈ
বৰ ক্লেশ ঘটিছিল। ৬ এক জাতিয়ে আন জাতিৰে সৈতে আৰু এখন
নগৰে আন এখন নগৰে সৈতে খণ্ড খণ্ড হৈ ভগ্ন হৈছিল, কিয়নো ঈশ্বৰে
তেওঁলোকক সকলো প্ৰকাৰ সঙ্কটত পেলাই ক্লেশ দিছিল। ৭ কিন্তু
এতিয়া তোমালোকে সাহিয়াল হোৱা আৰু তোমালোকৰ হাত শিথিল
নহওঁক, কিয়নো তোমালোকক তোমালোকৰ কাৰ্যৰ পুৰস্কাৰ দিয়া
যাব।” ৮ যেতিয়া আচা’ই এই সকলো বাক্য শুনিলে, অৰ্থাৎ ওদেদ
ভাববাদীৰ ভাববাণী শুনি সাহস পালে, যিহূদাৰ আৰু বিন্যামীনৰ
গোটেই দেশৰ পৰা আৰু ইফ্ৰয়িম পৰ্ব্বতীয়া অঞ্চলত তেওঁ হাত কৰি
লোৱা নগৰবোৰৰ পৰাও ঘিণলগা বস্তুবোৰ দূৰ কৰিলে; আৰু যিহোৱাৰ
গৃহৰ বাৰাণ্ডাৰ আগত থকা যিহোৱাৰ যজ্ঞবেদীটো নতুনকৈ সাজিলে।
৯ পাছত তেওঁ আটাই যিহূদা আৰু বিন্যামীনক আৰু তেওঁলোকৰ মাজত
প্ৰবাস কৰা ইফ্ৰয়িম, মনচি আৰু চিমিয়োনৰ পৰা অহা লোকসকলক
গোটালে৷ কিয়নো তেওঁৰ ঈশ্বৰ যিহোৱা তেওঁৰ লগত থকা দেখি,
ইস্রায়েলৰ মাজৰ পৰা অহা অনেক লোক আহি তেওঁৰ ফলীয়া হৈছিল।
১০ এইদৰে আচা’ৰ ৰাজত্বৰ তৃতীয় মাহত তেওঁলোকে যিৰূচালেমত
গোট খালে। ১১ আৰু সেই সময়ত তেওঁলোকে লুটি অনা বস্তুৰ পৰা
সাতশ ষাঁড়-গৰু আৰু সাত হাজাৰ ভেড়া ও ছাগলী যিহোৱাৰ উদ্দেশ্যে
বলিদান কৰিলে। ১২ আৰু তেওঁলোকে নিজৰ সকলো চিত্তেৰে সকলো
মনেৰে নিজৰ ওপৰ পিতৃসকলৰ ঈশ্বৰ যিহোৱাক বিচাৰিবলৈ এটি

নিয়ম কৰিলে৷ ১৩ সৰু বা বৰ, পুৰুষ বা মহিলাই হওঁক, যি কোনোৱে
ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাক বিচাৰ নকৰিব, তেওঁৰ প্ৰাণদণ্ড হ'ব, ইয়াকে
তেওঁলোকে থিৰ কৰিলে। ১৪ তেওঁলোকে বৰ মাতেৰে জয়ধ্বনি কৰি,
তুৰী আৰু শিঙা বজাই যিহোৱাৰ সাক্ষাতে শপত ল'লে। ১৫ এই শপত
লওঁতে আটাই যিহূদাই আনন্দ কৰিলে কিয়নো তেওঁলোকে নিজৰ
সকলো মনেৰে সৈতে শপত ল'লে আৰু সম্পূৰ্ণকৈ নিজ ইচ্ছাৰে তেওঁক
বিচাৰিলে; তেতিয়া তেওঁলোকে তেওঁক বিচাৰি পালে৷ আৰু যিহোৱাই
তেওঁলোকৰ ওপৰত শান্তি প্ৰদান কৰিলে৷ ১৬ ৰজা আচাই তেওঁৰ
বুঢ়ীমাক মাখাকো ৰাজমাও পদৰ পৰা আঁতৰাইছিল, কিয়নো তেওঁৰ
বুঢ়ীমাক মাখাই আচেৰা মূৰ্তি বুলি এটা ঘিণলগীয়া প্ৰতিমা স্থাপন
কৰিছিল। স্থাপন কৰা সেই মূৰ্তিটো আচাই কাটি, সেইটো গুৰি কৰি
কিদ্ৰোণ জুৰিৰ ওচৰত পুৰি পেলাইছিল। আৰু তাক গুৰি কৰি কিদ্ৰোণ
জুৰিৰ কাষত পুৰি পেলালে। ১৭ কিন্তু ইস্ৰায়েলৰ মাজৰ পৰা ওখ
ঠাইবোৰ গুচুউৱা নহ'ল৷ তথাপিও আচা'ৰ মন নিজ আয়ুসৰ সকলো
কালত সমৰ্পিত আছিল। ১৮ তেওঁ নিজ পিতৃৰ দ্বাৰাই পবিত্ৰ কৰা আৰু
নিজেও পবিত্ৰ কৰা বস্তু, অৰ্থাৎ ৰূপ, সোণ আৰু পাত্ৰবোৰ ঈশ্বৰৰ
গৃহলৈ আনিছিল। ১৯ আচা'ৰ ৰাজত্বৰ পঁয়ত্ৰিশ বছৰলৈকে কোনো যুদ্ধ
হোৱা নাছিল৷

**১৬** আচা'ৰ ৰাজত্ব কালৰ ছয়ত্ৰিশ বছৰত ইস্ৰায়েলৰ ৰজা বাচাৰ
বিৰোধ কৰি আক্ৰোশমূলক ভাবে যিহূদা আক্ৰমণ কৰিছিল, আৰু
ৰামা চহৰ সুসজ্জিত কৰি নিৰ্মাণ কৰিছিল, যাতে যিহূদাৰ ৰজাৰ
ওচৰলৈ কোনো ৰাজ্যৰ লোক অহা-যোৱা কৰিব নোৱাৰে। ২ তেতিয়া
আচা'ই যিহোৱাৰ গৃহৰ আৰু ৰাজগৃহৰ ভঁৰালৰ পৰা ৰূপ আৰু সোণ
উলিয়ালে আৰু সেইবোৰ দি দম্মেচকত থকা অৰামীয়া বিন-হদদ
ৰজাৰ ওচৰলৈ পঠিয়ালে৷ তেওঁ ক'লে, ৩ "মোৰ পিতৃ আৰু আপোনাৰ
পিতৃৰ মাজত যেনে নিয়ম বন্ধা আছিল, তেনে নিয়ম মোৰ আৰু
আপোনাৰ মাজত বন্ধা হওঁক; চাওক, মই আপোনালৈ কিছু ৰূপ আৰু
সোণ পঠিয়াইছোঁ৷ আপুনি গৈ, ইস্ৰায়েলৰ বাচা ৰজা মোৰ ওচৰৰ
পৰা গুচি যাবৰ বাবে, আপুনি তেওঁৰ লগত বন্ধা নিয়মটি ভাঙক।"

৪ তেতিয়া বিন-হদদে ৰজা আচাৰ কথা শুনিলে, আৰু ইস্ৰায়েলৰ
নগৰবোৰৰ বিৰুদ্ধে তেওঁৰ সৈন্য সামন্তৰ সেনাপতিসকলক পঠিয়ালে৷
তেওঁলোকে ইয়োন, দান, আবেল-ময়িম আৰু নপ্তালীৰ সকলো ভঁৰাল
নগৰ আক্ৰমণ কৰিলে। ৫ বাচাই এই সম্বাদ পোৱাৰ পাছত ৰামা
সুসজ্জিত কৰিবলৈ এৰিলে আৰু নিজ কাৰ্যৰ পৰা ক্ষান্ত হ'ল। ৬
তেতিয়া ৰজা আচা'ই গোটেই যিহূদাক তেওঁৰ লগত লৈ গ'ল৷ আৰু
বাচাই যি শিল আৰু কাঠবোৰেৰে ৰামা সুসজ্জিত কৰিছিল, ৰামাৰ
সেই শিল আৰু কাঠবোৰ তেওঁলোকে গৈ লৈ আহিল৷ পাছত গেবা
আৰু মিস্পা চহৰ নিৰ্মাণ কৰিবলৈ আচা'ই সেইবোৰ ব্যৱহাৰ কৰিলে।
৭ সেই সময়ত হনানী দৰ্শকে যিহূদাৰ আচা ৰজাৰ ওচৰলৈ আহি
তেওঁক ক'লে, “তুমি তোমাৰ ঈশ্বৰ যিহোৱাৰ ওপৰত নিৰ্ভৰ নকৰি
অৰামৰ ৰজাৰ ওপৰত নিৰ্ভৰ কৰিলা; এই কাৰণে অৰামৰ ৰজাৰ
সৈন্য-সামন্ত তোমাৰ হাতৰ পৰা পলাই সাৰিল। ৮ কুচীয়া আৰু লুবীয়া
লোকসকল অতিশয় অধিক ৰথ আৰু অশ্বাৰোহী সৈন্যে সৈতে মহা-
সৈন্য সমূহ জানো নাছিল? তথাপি তুমি যিহোৱাৰ ওপৰত নিৰ্ভৰ কৰাৰ
বাবে, তেওঁ তোমাক তেওঁলোকৰ ওপৰত জয়ী হবলৈ দিছিল। ৯
কিয়নো যিহোৱালৈ যিসকলৰ মন সিদ্ধ, তেওঁলোকৰ পক্ষে নিজকে
বলৱান দেখুৱাবৰ বাবে, যিহোৱাৰ চকু পৃথিৱীৰ চাৰিওফালে ভ্ৰমণ
কৰে। কিন্তু ইয়াতে তুমি অজ্ঞানৰ কাৰ্য কৰিলা৷ কিয়নো এতিয়াৰ পৰা
তোমাৰ বিৰুদ্ধে যুদ্ধ হ'ব।” ১০ তেতিয়া আচাই সেই দৰ্শকৰ ওপৰত
বেজাৰ পাই তেওঁক বন্দীশালত হ'ল, কিয়নো সেই কথাতে দৰ্শকৰ
ওপৰত তেওঁৰ খং উঠিছিল। সেই সময়ত আচাই প্ৰজাসকলৰ মাজৰ
কিছুমান লোকক অত্যাচাৰ কৰিলে। ১১ চোৱা, ৰজা আচা'ই যি যি
কৰিছিল, সেই সকলো বিষয় প্ৰথমৰ পৰা শেষলৈকে যিহূদা আৰু
ইস্ৰায়েলৰ ৰজাসকলৰ ইতিহাস-পুস্তকখনত লিখা আছে। ১২ আচা'ৰ
ৰাজত্বৰ ঊনচল্লিশ বছৰত তেওঁৰ ভৰিত বেমাৰ হ'ল; তেওঁৰ বেমাৰ
অতিশয় টান হ'ল৷ তথাপি তেওঁ বেমাৰৰ কালতো যিহোৱাক নিবিচাৰি,
বেজসকলকহে বিচাৰিছিল। ১৩ পাছত আচা তেওঁৰ ওপৰ-পিতৃসকলৰ
লগত নিদ্ৰিত হ'ল; তেওঁৰ ৰাজত্বৰ একচল্লিশ বছৰত তেওঁ মৰিল।

১৪ পাছত তেওঁ দায়ূদৰ নগৰত নিজৰ বাবে যি মৈদাম খান্দিছিল,
তাৰ ভিতৰত লোকসকলে তেওঁক মৈদাম দিলে৷ গন্ধ-বণিকসকলৰ
কাৰ্যেৰে যুগুত কৰা নানাবিধৰ সুগন্ধি দ্ৰব্যেৰে পৰিপূৰ্ণ শয্যাত তেওঁক
শুৱাই থৈছিল৷ আৰু তেওঁৰ সন্মানৰ অৰ্থে এক বৃহৎ সুগন্ধি দ্ৰব্যৰ জুই
জ্বলাইছিল।

**১৭** তাৰ পাছত তেওঁৰ পুত্ৰ যিহোচাফটে তেওঁৰ পদত ৰজা হৈ,
ইস্রায়েলৰ বিৰুদ্ধে সবল হ'বলৈ নিজকে বলৱান কৰিলে। ২ তেওঁ
গড়েৰে আবৃত যিহূদাৰ আটাইবোৰ সুসজ্জিত নগৰত সেনা-বাহিনী
ৰাখিলে আৰু যিহূদা দেশত আৰু তেওঁৰ পিতৃ আচাই অধিকাৰ কৰি
লোৱা ইফ্ৰয়িমৰ নগৰবোৰত সৈন্যদল বহুৱাই সুৰক্ষিত কৰি ৰাখিলে।
৩ যিহোৱা যিহোচাফটৰ লগত আছিল, কিয়নো তেওঁ নিজ ওপৰ পিতৃ
দায়ূদৰ প্ৰথম কালৰ পথত চলি বাল দেৱতাবোৰলৈ ঘূৰা নাছিল৷ ৪
কিন্তু তাৰ পৰিৱৰ্তে তেওঁৰ পৈতৃক ঈশ্বৰক বিচাৰিলে আৰু ইস্রায়েলৰ
দৰে আচৰণ নকৰি তেওঁৰ সকলো আজ্ঞা অনুসাৰে চলিলে। ৫ এই
হেতুকে যিহোৱাই তেওঁৰ হাতত ৰাজ্য স্থাপিত কৰিলে; আৰু গোটেই
যিহূদাই যিহোচাফটলৈ উপহাৰ আনিলে; আৰু তেওঁৰ ধন ও সন্মান
অতি অধিক হ'ল। ৬ তেওঁ যিহোৱাৰ পথত মন দৃঢ় কৰিলে৷ তাত বাজে
তেওঁ যিহূদাৰ মাজৰ পৰা পবিত্ৰ ঠাইবোৰ আৰু আচেৰা মূৰ্ত্তিবোৰ
গুচালে। ৭ তেওঁ নিজৰ ৰাজত্বৰ তৃতীয় বছৰত বিনহয়িল, ওবদিয়া,
জখৰিয়া, নথনেল আৰু মীখায়াক, যিকেইজন তেওঁৰ প্ৰধান লোক
আছিল, তেওঁলোকক যিহূদাৰ নগৰবোৰত শিক্ষা দিবৰ বাবে পঠিয়াই
দিলে৷ ৮ আৰু তেওঁলোকে সৈতে চময়িয়া, নথনিয়া, জবদিয়া, অচাহেল,
চমীৰামোৎ, যিহোনাথন, অদোনীয়া, টোবিয়া আৰু টোব অদোনীয়া,
এই লেবীয়াসকলক আৰু তেওঁলোকৰ লগত ইলীচামা আৰু যিহোৰাম
পুৰোহিতক পঠিয়ালে। ৯ তাতে তেওঁলোকে যিহোৱাৰ ব্যৱস্থা-
পুস্তকখন লগত লৈ যিহূদাত শিক্ষা দিবলৈ ধৰিলে৷ আৰু তেওঁলোকে
যিহূদাৰ সকলো নগৰতে ফুৰি লোকসকলৰ মাজত শিক্ষা দিলে। ১০
তেতিয়া যিহূদাৰ চাৰিওফালে থকা দেশৰ সকলো ৰাজ্যৰ ৰাজতন্ত্ৰত
যিহোৱাৰ পৰা এনে প্ৰচণ্ড ভয় হ'ল যে তেওঁলোকে যিহোচাফটৰ

বিৰুদ্ধে যুদ্ধ নকৰিলে। ১১ আৰু পলেষ্টীয়াসকলৰ কিছুমান লোকে
যিহোচাফটলৈ উপহাৰ আৰু কৰ হিচাপে ৰূপ আনিলে৷ আৰবীয়া
লোকেও তেওঁলৈ পশুৰ জাক অৰ্থাৎ সাতশ মতা ভেড়া আৰু সাত
হাজাৰ সাতশ ছাগলী আনিলে। ১২ এইদৰে যিহোচাফটে অতি
শক্তিশালী হৈ উঠিছিল৷ তেওঁ যিহূদাত অনেক দুৰ্গ আৰু ভঁৰাল-নগৰ
সাজিছিল। ১৩ যিহূদাৰ নগৰবোৰৰ মাজত তেওঁৰ অনেক যোগান
আছিল আৰু যিৰূচালেমত তেওঁৰ পৰাক্ৰমী যুদ্ধাৰু বীৰ পুৰুষসকল
আছিল। ১৪ তেওঁলোকৰ পিতৃ-বংশ অনুসাৰে তেওঁলোকৰ তালিকা
এনে ধৰণে: যিহূদাৰ সহস্ৰপতিসকলৰ মাজত আদান প্ৰদান আছিল;
আৰু তেওঁৰ লগত তিনি লাখ পৰাক্ৰমী বীৰপুৰুষ আছিল; ১৫ তেওঁৰ
পাছত যিহোহানন সেনাপতি আৰু তেওঁৰ লগত দুই লাখ আশী হাজাৰ
লোক আছিল; ১৬ তেওঁৰ পাছত নিজকে ইচ্ছামনেৰে উৎসৰ্গ কৰা
জিখ্ৰীৰ পুত্ৰ অমচিয়া; তেওঁৰ লগত দুই লাখ পৰাক্ৰমী বীৰ পুৰুষ
আছিল৷ ১৭ বিন্যামীনৰ মাজত পৰাক্ৰমী বীৰ পুৰুষ ইলিয়াদা, তেওঁৰ
লগত দুই লাখ ধনু আৰু ঢাল ধৰা লোক আছিল; ১৮ আৰু তেওঁৰ
পাছত যিহোজাবদ, তেওঁৰ লগত যুদ্ধলৈ সাজু হোৱা এক লাখ আশী
হাজাৰ লোক আছিল৷ ১৯ এওঁলোকে ৰজাৰ পৰিচৰ্যা কৰিছিল আৰু
এওঁলোকৰ বাহিৰেও ৰজাই যিহূদাৰ সকলো ফালে গড়েৰে আবৃত
নগৰবোৰত সেনাপতিসকলক ৰাখিছিল।

**১৮** সেই সময়ত যিহোচাফটে অধিক ধন আৰু সন্মান লাভ কৰিলে;
আৰু তেওঁ আহাবৰ লগত মিতিৰ পাতিলে। ২ কেইবছৰ মানৰ
পাছত তেওঁ চমৰিয়ালৈ আহাবৰ ওচৰলৈ নামি গ'ল৷ আহাবে তেওঁৰ
আৰু তেওঁৰ লগৰ লোকসকলৰ বাবে অনেক ভেড়া, ছাগলী আৰু
গৰু মাৰিলে৷ আনকি আহাবে তেওঁৰ লগত ৰামোৎ-গিলিয়দ আটক
কৰিবলৈ তেওঁক ৰাজী কৰালে। ৩ ইস্ৰায়েলৰ আহাব ৰজাই যিহূদাৰ
ৰজা যিহোচাফটক ক'লে, "আপুনি ৰামোৎ-গিলিয়দলৈ মোৰ লগত
যাব নে?" তাতে যিহোচাফতে উত্তৰ দি ক'লে, "আপুনি যেনে ময়ো
তেনে আৰু মোৰ প্ৰজা যেনে আপোনাৰ প্ৰজাও তেনে; সেই যুদ্ধত
আমি আপোনাৰ লগত উপস্থিত থাকিম।" ৪ যিহোচাফটে ইস্ৰায়েল

ৰজাৰ আগত পুনৰ ক’লে, “মই বিনয় কৰোঁ, যিহোৱাৰ বাক্য কি, সেই
বিষয়ে তেওঁক সোধক৷” ৫ তেতিয়া ইস্রায়েলৰ ৰজাই ভাববাদীসকলক
অৰ্থাৎ চাৰিশ লোকক গোটাই তেওঁলোকক সুধিলে, “আমি ৰামোৎ-
গিলিয়দলৈ যুদ্ধ কৰিবলৈ যাম নে, নে মই ক্ষান্ত হৈ থাকিম?” তাতে
তেওঁলোকে ক’লে, “যাওঁক, কিয়নো ঈশ্বৰে মহাৰাজৰ হাতত তাক
সমৰ্পণ কৰিব।” ৬ কিন্তু যিহোচাফটে ক’লে, “আমি উপদেশ বিচৰা
অৰ্থে যিহোৱাৰ এনে কোনো ভাববাদী ইয়াত আছে নে?” ৭ তেতিয়া
ইস্রায়েলৰ ৰজাই যিহোচাফটক ক’লে, “আমি যাৰ দ্বাৰাই যিহোৱাক
সুধিব পাৰোঁ, এনে এজন লোক আছে; কিন্তু মই তেওঁক ঘিণ কৰোঁ
কিয়নো তেওঁ মোৰ বিষয়ে কেতিয়াও মঙ্গলৰ ভাববাণী প্ৰচাৰ নকৰে,
সদায় কেৱল অমঙ্গলহে প্ৰচাৰ কৰে; তেওঁ যিম্লাৰ পুত্ৰ মীখায়া।”
তেতিয়া যিহোচাফতে ক’লে, “মহাৰাজে যেন তেনে কথা নকওঁক।” ৮
তেতিয়া ইস্রায়েলৰ ৰজাই তেওঁৰ এজন নপুংসকক আজ্ঞা দি ক’লে,
“যিম্লাৰ পুত্ৰ মীখায়াক বেগাই আনাগৈ।” ৯ সেই সময়ত ইস্রায়েলৰ
ৰজা আহাব আৰু যিহূদাৰ যিহোচাফট ৰজাই নিজ নিজ ৰাজবস্ত্ৰ
পিন্ধি, চমৰিয়াৰ প্ৰবেশ স্থানৰ ওচৰৰ এখন মুকলি ঠাইত নিজ নিজ
সিংহাসনত বহি আছিল আৰু আটাই ভাববাদীসকলে তেওঁলোকৰ
আগত ভাববাণী প্ৰচাৰ কৰি আছিল। ১০ কনানাৰ পুত্ৰ চিদিকিয়াই
নিজৰ বাবে লোহাৰ শিং এযোৰ সাজি লৈ ক’লে, “যিহোৱাই এইদৰে
কৈছে: ইয়াৰ দ্বাৰাই আপুনি অৰামীয়াসকলক সংহাৰ নকৰালৈকে খুচি
থাকিব।” ১১ তাতে আন সকলো ভাববাদীসকলেও সেই দৰে ভাববাণী
প্ৰচাৰ কৰি ক’লে, “আপুনি ৰামোৎ-গিলিয়দ আক্ৰমণ কৰক, তাতে
আপুনি জয়ী হ’ব কিয়নো যিহোৱাই তাক মহাৰাজৰ হাতত শোধাই
দিলে।” ১২ পাছত যি দূতজনে মীখায়াক মাতিবলৈ গৈছিল তেওঁ তেওঁক
ক’লে, “চাওঁক, ভাববাদীসকলে একে মুখেৰে ৰজাৰ আগত মঙ্গলৰ
কথা কৈছে, মই বিনয় কৰোঁ, আপোনাৰ বাক্যও তেওঁলোকৰ এজনৰ
বাক্যৰ নিচিনা হওঁক; আপুনিও যেন মঙ্গলৰ বাক্য কয়৷”। ১৩ তেতিয়া
মীখায়াই ক’লে, “যিহোৱাৰ জীৱনৰ শপত, মোৰ ঈশ্বৰে মোক যি ক’ব,
মই সেয়ে হে ক’ম।” ১৪ যেতিয়া তেওঁ ৰজাৰ ওচৰলৈ আহিল তেতিয়া

ৰজাই তেওঁক সুধিলে, “হে মীখায়া, আমি যুদ্ধ কৰিবলৈ ৰামোৎ-
গিলিয়দলৈ যাম নে? নে মই ক্ষান্ত হ’ম?” তাতে তেওঁ ক’লে, “যাওঁক,
আৰু আপোনালোক জয়ী হওঁক! তেওঁলোকক আপোনালোকৰ হাতত
সমৰ্পণ কৰা হ’ব।” ১৫ তেতিয়া ৰজাই তেওঁক ক’লে, “তুমি যিহোৱাৰ
নামেৰে মোক কেৱল সত্য বাক্য ক’বলৈ, মই তোমাক কিমানবাৰ
শপত খুৱাম?” ১৬ তেতিয়া তেওঁ ক’লে, “মই গোটেই ইস্ৰায়েলক
ৰখীয়া নোহোৱা মেৰৰ জাকৰ নিচিনাকৈ পৰ্বতবোৰৰ ওপৰত ছিন্ন-ভিন্ন
হৈ থকা দেখিলোঁ আৰু যিহোৱাই ক’লে, ‘তেওঁলোকৰ গৰাকী নাই৷ প্ৰতি
জনে নিজ নিজ ঘৰলৈ শান্তিৰে ঘূৰি যাওঁক’।” ১৭ তেতিয়া ইস্ৰায়েলৰ
ৰজাই যিহোচাফটক ক’লে, “তেওঁ মোৰ বিষয়ে মঙ্গলৰ ভাববাণী প্ৰচাৰ
নকৰি কেৱল অমঙ্গল হে প্ৰচাৰ কৰিব, সেই বিষয়ে জানো মই পূৰ্বেই
আপোনাৰ আগত কোৱা নাই?” ১৮ তাতে মীখায়াই ক’লে, “বাৰু,
তোমালোক সকলোৱে যিহোৱাৰ বাক্য শুনা: মই যিহোৱাক নিজ
সিংহাসনত বহি থকা দেখিলোঁ আৰু তেওঁৰ সোঁফালে আৰু বাওঁফালে
স্বৰ্গৰ সকলো বাহিনী থিয় হৈ আছিল। ১৯ তেতিয়া যিহোৱাই ক’লে,
‘ইস্ৰায়েলৰ আহাব ৰজা গৈ ৰামোৎ-গিলিয়দত পতিত হ’বৰ কাৰণে
কোনে তেওঁক প্ৰলোভিত কৰিব?’ তেতিয়া কোনোৱে এক ভাবে আৰু
আন কোনোৱে আন ভাবে উত্তৰ দিলে। ২০ তেতিয়া এক আত্মাই
আগলৈ ওলাই আহি যিহোৱাৰ সাক্ষাতে থিয় হৈ ক’লে, ‘মইয়ে তেওঁক
প্ৰলোভিত কৰিম।’ তাতে যিহোৱাই ক’লে, ‘কেনেকৈ?’ ২১ তেওঁ
ক’লে, ‘মই গৈ তেওঁৰ আটাই ভাববাদীসকলৰ মুখত মিছা কওঁতা
আত্মা হম।’ তেতিয়া যিহোৱাই ক’লে, ‘হয়, তুমি তেওঁক প্ৰলোভিত
কৰিবা আৰু কৃতকাৰ্য্যও হ’বা; এতিয়া ওলাই গৈ সেই দৰে কৰা।’ ২২
এই হেতুকে, চোৱা, যিহোৱাই তোমাৰ এই সকলো ভাববাদীসলৰ
মুখত মিছা কওঁতা এক আত্মা দিলে আৰু যিহোৱাই তোমাৰ বিষয়ে
অমঙ্গলৰ কথা ক’লে। ২৩ তেতিয়া কনানাৰ পুত্ৰ চিদিকিয়াই মীখায়াৰ
ওচৰলৈ আহি তেওঁৰ গালত চৰ মাৰি ক’লে, “তোমাৰ লগত কথা
ক’বৰ কাৰণে যিহোৱাৰ আত্মা মোৰ পৰা কোন পথেদি গ’ল?” ২৪
তাতে মীখায়াই ক’লে, “চোৱা, যি দিনা তুমি লুকাবৰ কাৰণে ভিতৰ

কোঠালিলৈ সোমাই যাবা, সেই দিনাই সেই বিষয়ে জানিবা।" ২৫
পাছত ইস্রায়েলৰ ৰজাই তেওঁৰ কিছুমান দাসক আজ্ঞা কৰিলে বোলে,
"মীখায়াক ধৰি নগৰৰ অধ্যক্ষ অমোনৰ আৰু মোৰ পুত্ৰ ৰাজকোঁৱৰ
যোৱাচৰ ওচৰলৈ লৈ যোৱা৷ ২৬ আৰু ক'বা, 'ৰজাই এইদৰে কৈছে,
এই জন ব্যক্তিক বন্দীশালত বন্ধ কৰি থ'বা আৰু মই নিৰাপদে ঘূৰি
নহালৈকে তেওঁক খাবৰ বাবে সামান্য অন্ন আৰু সামান্য জল দিবা'৷" ২৭
মীখায়াই ক'লে, "তুমি যদি নিৰাপদে ঘূৰি আহা, তেনেহ'লে যিহোৱাই
মোৰ দ্বাৰাই এই বাক্য কোৱা নাই।" তেওঁ পুনৰ ক'লে, "এই বিষয়ে
সকলোৱে শুনা।" ২৮ তাৰ পাছত ইস্রায়েলৰ ৰজা আহাব আৰু যিহূদাৰ
ৰজা যিহোচাফটে ৰামোৎ-গিলিয়দৰ বিৰুদ্ধে উঠিল। ২৯ ইস্রায়েলৰ
ৰজাই যিহোচাফটক ক'লে, "মই অন্য বেশ ধৰি যুদ্ধত যাম কিন্তু
আপুনি হ'লে আপোনাৰ ৰাজ বস্ত্ৰ পিন্ধি থাকক।" তেতিয়া ইস্রায়েলৰ
ৰজাই অন্য বেশ ধৰিলে আৰু তেওঁলোক যুদ্ধ কৰিবলৈ গ'ল। ৩০
কিন্তু অৰামৰ ৰজাই তেওঁৰ ৰথৰ অধ্যক্ষসকলক এই আজ্ঞা দিছিল
বোলে, তোমালোকে ইস্রায়েলৰ ৰজাৰ সৰু কি বৰ আন কাৰোঁ লগত
যুদ্ধ নকৰিবা। কেৱল ইস্রায়েলৰ ৰজাক হে আটক কৰিবা৷ ৩১ এই
হেতুকে ৰথৰ অধ্যক্ষসকলে যিহোচাফটক দেখি, "এৱেঁই ইস্রায়েলৰ
ৰজা", এই বুলি, তেওঁৰ লগত যুদ্ধ কৰিবলৈ এফলীয়া হৈ গ'ল; তাতে
যিহোচাফটে আটাহ পাৰিবলৈ ধৰিলে। তাতে যিহোৱাই তেওঁক সহায়
কৰিলে আৰু তেওঁৰ ওচৰৰ পৰা আঁতৰ হৈ যাবলৈ তেওঁলোকৰ মনত
প্ৰবৃত্তি জন্মালে। ৩২ তেতিয়া ৰথৰ অধ্যক্ষসকলে তেওঁক ইস্রায়েলৰ
ৰজা নহয় বুলি জানি, তেওঁৰ পাছত খেদি যাবলৈ এৰিলে। ৩৩ কিন্তু
কোনো এজন লোকে তেওঁৰ ধনুৰ জোঁৰ টানি দৈবক্ৰমে ইস্রায়েলৰ
ৰজাৰ কৱচ আৰু উদৰ-ৰক্ষাৰ জোৰতে কাড় মাৰিলে; তেতিয়া তেওঁ
সাৰথিক ক'লে, "তোমাৰ হাত ঘূৰোৱা আৰু মোক এই সৈন্যৰ মাজৰ
পৰা উলিয়াই লৈ যোৱা; কিয়নো মই বৰকৈ আহত হ'লো। ৩৪ সেই
দিনা বৰ যুদ্ধ হ'ল আৰু গধূলি নহোৱালৈকে অৰামীয়াসকলৰ আগত
ইস্রায়েলৰ ৰজাক ৰথত থিয়কৈ ৰখাই হ'ল; আৰু প্ৰায় সূৰ্য মাৰ যোৱা
সময়ত তেওঁৰ মৃত্যু হ'ল।

১৯ তাৰ পাছত যিহূদাৰ ৰজা যিহোচাফটে শান্তিৰে যিৰূচালেমৰ
নিজৰ ঘৰলৈ ঘূৰি আহিল৷ ২ তেতিয়া হনানীৰ পুত্ৰ যেহূ দৰ্শকে
তেওঁৰ লগত সাক্ষাত কৰিবলৈ গ'ল আৰু ৰজা যিহোচাফটক ক'লে,
"দুৰ্জনক সহায় কৰা আৰু যিহোৱাক ঘিণ কৰোঁতা সকলক প্ৰেম
কৰা জানো তোমাৰ উচিত? এই কাৰণে তোমাৰ ওপৰত যিহোৱাৰ
ক্ৰোধ আহিছে। ৩ তথাপি তুমি দেশৰ পৰা আচেৰা মুৰ্ত্তিবোৰ উচ্ছন্ন
কৰাত আৰু ঈশ্বৰক বিচাৰিবলৈ তোমাৰ মন থিৰ কৰাত তোমাৰ কিছু
সদ্ভাৱ পোৱা গ'ল।" ৪ তাৰ পাছত যিহোচাফটে যিৰূচালেমত বসতি
কৰিলে; আৰু তেওঁ পুনৰাই ওলায় বেৰ-চেবাৰ পৰা ইফ্ৰয়িম পৰ্বতীয়া
অঞ্চললৈকে লোকসকলৰ মাজত ফুৰি, তেওঁলোকৰ পূৰ্ব-পুৰুষসকলৰ
ঈশ্বৰ যিহোৱাৰ ফালে তেওঁলোকক ঘূৰাই আনিলে। ৫ আৰু দেশৰ
ভিতৰত গড়েৰে আবৃত যিহূদাৰ আটাইবোৰ নগৰৰ ভিতৰত প্ৰত্যেক
নগৰত তেওঁ এজন এজনকৈ বিচাৰকৰ্ত্তা নিযুক্ত কৰিলে৷ ৬ তেওঁ
বিচাৰকৰ্ত্তাসকলক ক'লে, "তোমালোকে যি কৰিবা সেই বিষয়ে
সাৱধানে কৰিবা; কিয়নো তোমালোকে লোকসকলৰ কাৰণে নহয়
কিন্তু যিহোৱাৰ কাৰণেহে বিচাৰ কৰিবা; বিচাৰত তেওঁ তোমালোকৰ
সহায়কাৰী হ'ব। ৭ এতেকে এতিয়া তোমালোকে যিহোৱালৈ ভয়
ৰাখিবা; তোমালোকে সাৱধান হৈ কাৰ্য কৰা কিয়নো আমাৰ ঈশ্বৰ
যিহোৱাৰ গুৰিত অন্যায়, কি মুখ চোৱা, কি ভেটি খোৱা নহয়।" ৮
ইয়াৰ উপৰিও, যিহোচাফটে যিৰূচালেমত যিহোৱা-সমন্ধীয় বিচাৰৰ
অৰ্থে আৰু বিবাদ ভাঙিবৰ অৰ্থে লেবীয়াসকলৰ, পুৰোহিতসকলৰ
আৰু ইস্রায়েলৰ ফৈদৰ মুখিয়াল কেইজনমানক নিযুক্ত কৰিলে।
তেখেতসকল যিৰূচালেমত বাস কৰিলে৷ ৯ তেওঁ তেখেতসকলক এই
আজ্ঞা দিলে, বোলে, "তোমালোকে যিহোৱালৈ ভয় ৰাখি বিশ্বাসীৰূপে
সিদ্ধ মনেৰে এইদৰে কাৰ্য কৰিবা: ১০ ৰক্তপাতৰ বিষয়ে বা ব্যৱস্থা ও
আজ্ঞাৰ বা বিধি ও শাসন-প্ৰণালীৰ বিষয়ে যি কোনো গোচৰ, নিজ
নিজ নগৰত বাস কৰা তোমালোকৰ ভাইসকলৰ পৰা তোমালোকৰ
গুৰিত উপস্থিত হ'ব, সেই বিষয়ে তোমালোকে সেই লোকসকলক
উপদেশ দিবা যাতে তেওঁলোকে যিহোৱাৰ বিৰুদ্ধে দোষী নহ'ব আৰু

তোমালোকৰ ওপৰত আৰু তোমালোকৰ ভাইসকলৰ ওপৰত তাৰ
কাৰণে যিহোৱাৰ ক্ৰোধ নাথাকিব; যদি তোমালোকে ইয়াকে কৰা
তেতিয়া তোমালোক দোষী নহ'বা। ১১ চোৱা, যিহোৱাৰ সকলো
বিচাৰত প্ৰধান পুৰোহিত অমৰীয়া আৰু ৰজাৰ আটাই বিচাৰত যিহূদা-
বংশীয় অধ্যক্ষ ইশ্মায়েলৰ পুত্ৰ জবাদিয়াক তোমালোকৰ ওপৰত
নিযুক্ত কৰা হৈছে৷ লেবীয়াসকলো তোমালোকৰ আগত শাসনকৰ্ত্তা হৈ
থাকিব। তোমালোকে সাহসেৰে কাৰ্য কৰা আৰু যেন যিহোৱা সাধু
লোকসকলৰ সংগী হওঁক।"

২০ তাৰ পাছত মোৱাবৰ সন্তান সকল, অম্মোনীয়াৰ সন্তান সকল
আৰু তেওঁলোকৰ লগত কিছুমান মায়োনীয়া লোকে যিহোচাফটৰ
বিৰুদ্ধে যুদ্ধ কৰিবলৈ আহিল৷ ২ তেতিয়া কিছুমান লোক আহি
যিহোচাফটক এই সম্বাদ দিলে বোলে, "সাগৰৰ সিপাৰে থকা অৰামৰ
পৰা অতিশয় অধিক লোক আপোনাৰ বিৰুদ্ধে উঠি আহিছে৷ চাওঁক,
তেওঁলোক হচচোন-তামৰত অৰ্থাৎ অয়িন-গদীত আছে।" ৩ তেতিয়া
যিহোচাফটে ভয় কৰি যিহোৱাক বিচাৰিবলৈ ঠাৰৰ কৰিলে৷ তেওঁ
যিহূদাৰ সকলো ফালে উপবাস ঘোষণা কৰিলে। ৪ যিহূদাৰ লোকসকলে
যিহোৱাৰ আগত সাহায্য যাচনা কৰিবলৈ গোট খালে; যিহূদাৰ আটাই
নগৰৰ পৰা লোকসকলে যিহোৱাক বিচাৰ কৰিবলৈ আহিল। ৫
যিহোচাফটে যিহোৱাৰ গৃহৰ নতুন চোতালখনৰ আগত যিহূদাৰ আৰু
যিৰূচালেমৰ সমাজৰ আগত থিয় হ'ল। ৬ তেওঁ ক'লে, "হে আমাৰ
পূৰ্ব-পুৰুষসকলৰ ঈশ্বৰ যিহোৱা, আপুনি জানো স্বৰ্গৰ ঈশ্বৰ নহয়
নে? আৰু আপুনিয়েই জানো জাতি সমূহৰ সকলো ৰাজ্যৰ ওপৰত
শাসনকৰ্ত্তা নহয়? আপোনাৰেই হাতত শক্তি আৰু পৰাক্ৰম থকাত
আপোনাৰ অহিতে কোনেও থিয় হ'ব নোৱাৰে। ৭ হে আমাৰ ঈশ্বৰ,
আপুনিয়েই জানো আপোনাৰ প্ৰজা ইস্রায়েল লোকসকলৰ আগৰ পৰা
এই দেশ নিবাসীসকলক দূৰ কৰি অব্ৰাহামৰ বংশক চিৰকালৰ বাবে
এই দেশ দিয়া নাই? ৮ তেওঁলোকে এই দেশত বাস কৰিছিল আৰু
এই ঠাইত আপোনাৰ নামৰ বাবে এক ধৰ্মধাম সাজি লৈ কৈছিল, ৯
'আমালৈ যদি অমঙ্গল ঘটে - তৰোৱাল বা বিচাৰ, সিদ্ধ দণ্ড বা মহামাৰী

বা আকালে হওঁক তেতিয়া আমি এই গৃহৰ আগত আৰু আপোনাৰ
আগত (কিয়নো এই গৃহত আপোনাৰ নাম আছে) থিয় হৈ, সঙ্কতৰ
কালত আপোনাৰ আগত কাতৰোক্তি কৰিম; তাতে আপুনি সেই বিষয়ে
শুনি আমাক উদ্ধাৰ কৰিব।' ১০ এতিয়া চাওঁক, সেই অম্মোনৰ আৰু
মোৱাবৰ সন্তান সকল আৰু চেয়ীৰ পৰ্ব্বতীয়া লোকসকলে যেতিয়া
মিচৰ দেশৰ পৰা ওলাই াাহিছিল তেতিয়া আপুনি তেওঁলোকৰ
দেশত ইস্রায়েলক সোমাবলৈ নিদিলে; তেতিয়া ইস্রায়েলে তেওঁলোকৰ
পৰা এফলীয়া হ'ল আৰু তেওঁলোকক বিনষ্ট নকৰিলে৷ ১১ এতিয়া
চাওঁক, তেওঁলোকে উপকাৰৰ সলনি আমাৰ কেনে অপকাৰ কৰিছে;
আপুনি যি উত্তৰাধীকাৰ আমাক দিলে, আপোনাৰ সেই উত্তৰাধিকাৰৰ
পৰা তেওঁলোকে আমাক খেদাই দিবলৈ আহিছে৷ ১২ হে আমাৰ ঈশ্বৰ,
আপুনি তেওঁলোকৰ বিচাৰ নকৰিবা নে? কিয়নো আমাৰ অহিতে
সেই যি অধিক অতিশয় লোক সমূহ আহিছে, তেওঁলোকৰ বিৰুদ্ধে
আমাৰ নিজৰ কোনো সামৰ্থ নাই৷ আমি যি কৰিব লাগিব, সেই বিষয়ে
নাজানো, কেৱল আপোনালৈ চাই আছোঁ।" ১৩ এইদৰে শিশুসকল,
মহিলাসকল আৰু তেওঁলোকৰ সন্তান সকলে সৈতে গোটেই যিহূদা
যিহোৱাৰ সাক্ষাতে থিয় হ'ল। ১৪ তেতিয়া সেই সমাজৰ মাজৰ
মত্তনীয়াৰ বৃদ্ধ পৰিনাতি, যিয়ীয়েলৰ পৰিনাতি বনায়াৰ নাতি, জখৰিয়ৰ
পুত্ৰ জহজীয়েল নামেৰে আচফৰ বংশৰ এজন লেবীয়া লোকৰ ওপৰত
যিহোৱাৰ আত্মা স্থিতি হ'ল। ১৫ জহজীয়েলে ক'লে, "হে যিহূদা,
যিৰূচালেমৰ নিবাসীসকল আৰু হে মহাৰাজ যিহোচাফট; তোমালোকে
কাণ দিয়া: যিহোৱাই তোমালোকক এই কথা কৈছে: 'তোমালোকে
সেই অতিশয় অধিক লোক সমূহক দেখি ভয় নকৰিবা আৰু নিৰুৎসাহ
নহ'বা৷ কিয়নো এই যুদ্ধ তোমালোকৰ নহয়, কিন্তু ঈশ্বৰৰহে। ১৬
তোমালোকে কাইলৈ তেওঁলোকৰ বিৰুদ্ধে নামি যাব লাগিব৷ চোৱা,
তেওঁলোকে চীচলৈ যোৱা বাটেদি উঠি আহিছে৷ তোমালোকে যিৰুৱেল
মৰুপ্ৰান্তৰ আগত উপত্যকাৰ শেষ ভাগত তেওঁলোকক পাবা। ১৭ এই
যুদ্ধত তোমালোকে যুদ্ধ কৰিবলৈ প্ৰয়োজন নহ'ব৷ হে যিহূদা আৰু
যিৰূচালেম, তোমালোকে শাৰী পাতি থিয় দি থাকা আৰু তোমালোকে

যিহোৱাৰ সৈতে, যিহোৱাই কৰা নিস্তাৰ দেখিবা৷ তোমালোকে ভয়
নকৰিবা আৰু নিৰুৎসাহ নহ'বা৷ কাইলৈ তেওঁলোকৰ বিৰুদ্ধে ওলাই
যোৱা, কিয়নো যিহোৱা তোমালোকৰ লগত আছে'৷" ১৮ তেতিয়া
যিহোচাফটে মূৰ দোঁৱাই মাটিলৈ মুখ কৰি প্ৰণিপাত কৰিলে৷ তেতিয়া
যিহূদাৰ সকলো লোক ◌াৰু যিৰূচালেম নিবাসীসকলে যিহোৱাৰ
আগত উবুৰি হৈ পৰি তেওঁৰ প্ৰণিপাত কৰিলে। ১৯ কহাতৰ বংশৰ
আৰু কোৰহৰ বংশৰ লেবীয়াসকলে তেতিয়া উঠি থিয় হ'ল আৰু
অতিশয় বৰ মাতেৰে ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাৰ প্ৰশংসা কৰিলে৷ ২০
পাছত তেওঁলোকে ৰাতিপুৱাতে উঠি তকোৱাৰ মৰুপ্ৰান্তলৈ ওলাই
গ'ল৷ ওলাই যোৱা সময়ত, যিহোচাফটে থিয় হৈ ক'লে, "হে যিহূদা
আৰু যিৰূচালেম নিবাসীসকল, মোলৈ কাণ দিয়া! তোমালোকে নিজ
ঈশ্বৰ যিহোৱাত বিশ্বাস কৰা, তাতে তোমালোক সমৰ্থন পাবা আৰু
তেওঁৰ ভাববাদীসকলত বিশ্বাস কৰা, তাতে তোমালোক কৃতকাৰ্য
হ'বা।" ২১ তাৰ পাছত তেওঁ লোকসকলৰ সৈতে মন্ত্ৰণা কৰি ৰণলৈ
সাজু হোৱাসকলৰ আগে আগে "যিহোৱাৰ স্তুতি গান কৰা; কিয়নো
তেওঁৰ দয়া চিৰকাললৈকে থাকে", এই কথা কৈ কৈ, যিহোৱাৰ
উদ্দেশ্যে গীত গাবলৈ আৰু পবিত্ৰ শোভাৰে যিহোৱাৰ প্ৰশংসা কৰিবলৈ
কিছুমান লোকক নিযুক্ত কৰিলে। ২২ যেতিয়া তেওঁলোকে গীত গাবলৈ
আৰু প্ৰশংসা কৰিবলৈ আৰম্ভ কৰিলে, তেতিয়া যিহূদাৰ বিৰুদ্ধে অহা
অম্মোনৰ আৰু মোৱাবৰ সন্তান সকলৰ বিৰুদ্ধে যিহোৱাই গুপুত ঠাইত
খাপ দি থকা শত্ৰুৰ সেনাসকলক নিযুক্ত কৰিলে; তাতে তেওঁলোক
পৰাস্ত হ'ল। ২৩ কিয়নো অম্মোনৰ আৰু মোৱাবৰ সন্তান সকলে
নিঃশেষে বিনষ্ট আৰু সংহাৰ কৰিবলৈ, চেয়ীৰ-নিবাসীসকলৰ বিৰুদ্ধে
উঠি আহিছিল৷ যেতিয়া তেওঁলোকে চেয়ীৰ নিবাসীসকলক সংহাৰ কৰি
উঠিছিল, তেতিয়া তেওঁলোকে নিজৰ মাজতে ইজনে সিজনক বিনষ্ট
কৰিলে। ২৪ যিহূদাৰ লোকসকলে যেতিয়া মৰুপ্ৰান্তৰ প্ৰহৰী-দুৰ্গলৈ
আহিল, তেতিয়া তেওঁলোকে সেই ঠাইৰ পৰা সেই অতিশয় লোক
সকলৰ সৈন্যদললৈ মুখ ঘূৰাই চাই দেখিলে যে, তেওঁলোক মৰা শ হৈ
মাটিত পৰি আছে; ৰক্ষা পোৱা এজনো নাই। ২৫ তেতিয়া যিহোচাফট

আৰু তেওঁৰ লোকসকলে তেওঁলোকৰ লুটদ্ৰব্য আনিবলৈ গৈ শৰৰ লগত
বহুত সম্পত্তি আৰু বহুমূল্য বাখৰ পালে৷ তেওঁলোকে সেইবোৰ নিজৰ
বাবে তেওঁলোকৰ গাৰ পৰা উলিয়াই আনিলে৷ তাতে ইমান ধন হ'ল
যে তেওঁলোকৰ যিমান ধন কঢ়িয়াব পৰা ক্ষমতা আছিল তাতোকৈয়ো
অধিক ধন তেওঁলোকে বৈ নিলে৷ সেই লুটদ্ৰব্য ইমান অধিক আছিল যে
সেইবোৰ লৈ যাবলৈ তেওঁলোকৰ তিনি দিন লাগিল। ২৬ তাৰ পাছত
চতুৰ্থ দিনা তেওঁলোকে বৰাখা উপত্যকাত গোট খালে৷ সেই ঠাইত
তেওঁলোকে যিহোৱাৰ ধন্যবাদ কৰিলে আৰু সেই কাৰণে আজিলৈকে
সেই ঠাই বৰাখা উপত্যকা বুলি প্ৰখ্যাত আছে। ২৭ তাৰ পাছত
যিহূদা আৰু যিৰূচালেমৰ প্ৰতিজন লোকে আৰু তেওঁলোকৰ অগ্ৰগামী
যিহোচাফটে আনন্দেৰে যিৰূচালেমলৈ ঘূৰি আহিবলৈ নিশ্চিত কৰিলে;
কিয়নো যিহোৱাই তেওঁলোকৰ শত্ৰুবোৰৰ ওপৰত তেওঁলোকক
আনন্দিত কৰিছিল। ২৮ তাতে তেওঁলোকে নেবল, বীণা আৰু তুৰী
বজাই যিৰূচালেমলৈ যিহোৱাৰ গৃহলৈ আহিল। ২৯ যিহোৱাই ইস্ৰায়েলৰ
শত্ৰুবোৰৰ বিৰুদ্ধে যুদ্ধ কৰা কথা আন আন দেশৰ সকলো লোকে
শুনি, ঈশ্বৰৰ প্ৰতি ভয় পালে। ৩০ এইদৰে যিহোচাফটৰ ৰাজ্য সুস্থিৰ
হ'ল; কিয়নো তেওঁৰ ঈশ্বৰে তেওঁক চাৰিওফালে শান্তি দিছিল। ৩১
যিহোচাফটে যিহূদাৰ ওপৰত ৰাজত্ব কৰিলে। তেওঁ পঁয়ত্ৰিশ বছৰ
বয়সত ৰজা হৈ, যিৰূচালেমত পঁচিশ বছৰ ৰাজত্ব কৰিলে। তেওঁৰ
মাতৃ চিলহীৰ জীয়েক অজুবা আছিল। ৩২ তেওঁ তেওঁৰ পিতৃ আচাৰ
পথত চলিছিল, আৰু তেওঁৰ পৰা নুঘূৰি, যিহোৱাৰ সাক্ষাতে সদাচৰণ
কৰিছিল। ৩৩ তথাপি পবিত্ৰ ঠাইবোৰ গুচুউৱা নহ'ল আৰু তেওঁলোকে
তেতিয়াও নিজৰ পূৰ্ব-পুৰুষসকলৰ ঈশ্বৰলৈ নিজ নিজ মন যুগুত
নকৰিলে। ৩৪ যিহোচাফটৰ অন্যান্য গুৰুত্বপূৰ্ণ বিষয়বোৰ প্ৰথমৰে
পৰা শেষলৈকে ইস্ৰায়েলৰ ৰজাসকলৰ বুৰঞ্জীৰ লগতে হনানীৰ পুত্ৰ
যেহূৰ ইতিহাস-পুস্তকখনিত লিখা আছে। ৩৫ ইয়াৰ পাছত যিহূদাৰ
ৰজা যিহোচাফটে ইস্ৰায়েলৰ অতি দুৰাচাৰী অহজিয়া ৰজাৰ লগত
যোগ দিলে। ৩৬ বিশেষকৈ তেওঁ সাগৰলৈ যাবৰ কাৰণে জাহাজ
সজাৰ অৰ্থে, তেওঁৰ লগত যোগ দিলে৷ তেওঁলোকে ইচিয়োন-গেবৰত

কেইবাখনো জাহাজ সাজিলে। ৩৭ তেতিয়া মাৰেচাৰ দোদাবাহুৰ
পুত্র ইলীয়েজৰে যিহোচাফটৰ বিৰুদ্ধে এই ভাববাণী প্রচাৰ কৰিলে;
তেওঁ ক'লে, "কিয়নো তুমি অহজিয়াৰ লগত যোগ দিলা, এই কাৰণে
যিহোৱাই তোমাৰ কাৰ্যবোৰ ধ্বংস কৰিলে।" তাতে সেই জাহাজবোৰ
ভগ্ন হ'ল যাতে তেওঁলোক অন্য দেশলৈ যাব নোৱাৰে।

**২১** পাছত যিহোচাফটে তেওঁৰ পূৰ্ব-পুৰুষসকলৰ সৈতে নিদ্রিত
হোৱাত দায়ূদৰ নগৰত তেওঁৰ পূৰ্ব-পুৰুষসকলৰ লগতে তেওঁক মৈদাম
দিয়া হ'ল; তাতে তেওঁৰ পুত্র যিহোৰাম তেওঁৰ পদত ৰজা হ'ল। ২
অজৰিয়া, যিহীয়েল, জখৰিয়া, অজৰিয়া, মীখায়েল আৰু চফটিয়া
নামেৰে যিহোচাফটৰ পুত্র যিহোৰামৰ কেইবাজনো ভায়েক আছিল৷
তেওঁলোক আটাইকেইজনেই ইস্রায়েলৰ ৰজা যিহোচাফটৰ পুত্র
আছিল। ৩ তেওঁলোকৰ পিতৃয়ে প্রতিজনকে অধিক সম্পত্তি, অৰ্থাৎ ৰূপ,
সোণ, বহুমূল্য বস্তু আৰু যিহূদা দেশত থকা সুসজ্জিত গড়েৰে আবৃত
নগৰবোৰ দান কৰিছিল; কিন্তু যিহোৰাম তেওঁৰ জেষ্ঠ্য পুত্র হোৱাৰ
বাবে তেওঁক তেওঁৰ ৰাজসিংহাসন দিলে। ৪ যেতিয়া যিহোৰামে নিজৰ
পিতৃৰ সিংহাসনত ৰাজত্ব কৰি নিজকে বলৱান ৰজাৰূপে প্রতিষ্ঠা কৰি
ল'লে, তেতিয়া তেওঁ নিজৰ আটাইকেইজন ভাইক আৰু ইস্রায়েলৰ
কেইবাজনো অধ্যক্ষক তৰোৱালেৰে বধ কৰিছিল। ৫ যিহোৰামে
ৰাজত্ব আৰম্ভন কৰাৰ সময়ত তেওঁৰ বয়স বত্রিশ বছৰ আছিল আৰু
তেওঁ যিৰূচালেমত আঠ বছৰলৈ ৰাজত্ব কৰিছিল। ৬ তেওঁ আহাবৰ
বংশৰ নিচিনাকৈ ইস্রায়েলৰ ৰজাসকলৰ পথত চলিছিল; কিয়নো তেওঁ
আহাবৰ জীয়েকক তেওঁৰ পত্নীৰূপে লৈছিল; আৰু তেওঁ যিহোৱাৰ দৃষ্টিত
কেৱল কু-আচৰণ কৰিছিল। ৭ তথাপিও দায়ূদৰ লগত যিহোৱাই কৰা
নিয়ম-চুক্তিৰ কাৰণে যিহোৱাই দায়ূদৰ বংশক বিনষ্ট নকৰিলে; তেওঁক
আৰু তেওঁৰ সন্তান সকলক চিৰকাললৈকে এক জীৱন দিম বুলি তেওঁ
প্রতিজ্ঞা কৰিছিল৷ ৮ তেওঁৰ ৰাজত্বৰ সময়ত ইদোমীয়া লোকসকলে
যিহূদাৰ অধীনত থাকিবলৈ অস্বীকাৰ কৰি নিজৰ ওপৰত এজন ৰজা
পাতি লৈছিল। ৯ তেতিয়া যিহোৰামে তেওঁৰ সেনাপতিসকলৰ সৈতে
সকলো ৰথ লগত লৈ যাত্রা কৰিলে৷ তাতে তেওঁ ৰাতিয়েই উঠি তেওঁক

আৰু তেওঁৰ ৰথৰ সেনাপতিসকলক বেৰি ধৰা ইদোমীয়াসকলক প্ৰহাৰ
কৰিলে। ১০ এইদৰে ইদোমীয়াসকল আজিলৈকে যিহূদাৰ অধীনত
থাকিবলৈ অস্বীকাৰ কৰি সদায় বিদ্রোহ কৰি থাকিল৷ সেই একে
সময়তে লিব্‌নায়ো তেওঁৰ অধীনত থাকিবলৈ অস্বীকাৰ কৰি বিদ্রোহ
আচৰণ কৰিলে, কিয়নো যিহোৰামে তেওঁৰ পূৰ্ব-পুৰুষসকলৰ ঈশ্বৰ
যিহোৱাক ত্যাগ কৰিছিল। ১১ আনকি যিহোৰামে যিহূদাৰ পৰ্বতসমূহত
পবিত্ৰ ঠাইবোৰ স্থাপন কৰিলে; তেওঁ যিৰূচালেম নিবাসীসকলক
ব্যভিচাৰ কৰালে৷ এইদৰে তেওঁ যিহূদাক অপথে নিলে। ১২ পাছত
যিহোৰামলৈ এলিয়া ভাববাদীৰ পৰা এখন পত্ৰ আহিল৷ তাত এইদৰে
কৈছিল, “তোমাৰ ওপৰ পিতৃ দায়ূদৰ ঈশ্বৰ যিহোৱাই এই কথা কৈছে:
তুমি তোমাৰ পিতৃ যিহোচাফটৰ পথত বা যিহূদাৰ আচা ৰজাৰ পথত
নচলিলা, ১৩ কিন্তু ইস্ৰায়েলৰ ৰজাসকলৰ পথত চলিলা আৰু আহাবৰ
বংশই কৰা নিচিনাকৈ যিহূদাক আৰু যিৰূচালেমৰ নিবাসীসকলক
ব্যভিচাৰীৰ দৰে আচৰণ কৰিবলৈ দিলা - আৰু তোমাতকৈ উত্তম
তোমাৰ পিতৃ-বংশৰ যি ভাইসকল, তেওঁলোককো তৰোৱালেৰে বধ
কৰিলা - ১৪ চোৱা, এই কাৰণে যিহোৱাই তোমাৰ প্ৰজা, তোমাৰ
সন্তান সকলক, তোমাৰ পত্নীসকলক আৰু তোমাৰ সকলো সম্পত্তি
এটা ভয়ংকৰ মহামাৰীৰে আঘাত কৰিব৷ ১৫ তুমি নিজেও নাড়ীৰ
ৰোগত দিনে দিনে অতিশয় বেদনা পাবা; শেষত সেই ৰোগতে তোমাৰ
নাড়ী-ভুৰু ওলাই পৰিব।” ১৬ যিহোৱাই যিহোৰামৰ অহিতে পলেষ্টীয়া
আৰু কুচীয়াৰ ওচৰত থকা আৰবীয়া লোকসকলৰ মন উচটাই পেলালে৷
১৭ তাতে তেওঁলোকে যিহূদাৰ বিৰুদ্ধে আহি গড় ভংগ কৰি, ৰাজ-
গৃহত পোৱা সকলো সম্পত্তিবোৰ লৈ গ’ল৷ আনকি তেওঁলোকে তেওঁৰ
পুত্ৰসকল আৰু লগতে তেওঁৰ পত্নীসকলকো লৈ গ’ল৷ তাতে তেওঁৰ
কনিষ্ঠ পুত্ৰ যিহোৱাহজৰ বাহিৰে তেওঁৰ এটাও পুত্ৰ অৱশিষ্ট নাথাকিল।
১৮ এই সকলো ঘটনাৰ পাছত, সুস্থ কৰিব নোৱাৰা নাড়ীৰ ৰোগেৰে
যিহোৱাই তেওঁক আঘাত কৰিলে। ১৯ তাতে কালক্ৰমে দুবছৰৰ পাছত
তেওঁৰ নাড়ী-ভুৰু সেই ৰোগত ওলাই পৰিল আৰু তেওঁৰ অতিশয়
যাতনাৰে মৃত্যু হ’ল৷। তেওঁৰ পূৰ্ব-পুৰুষসকলৰ কাৰণে যেনেকৈ সুগন্ধি

বস্তু জ্বলাইছিল, তেনেকৈ তেওঁৰ প্ৰজাসকলে তেওঁৰ কাৰণে নকৰিলে।
২০ তেওঁ বত্ৰিশ বছৰ বয়সত ৰাজত্ব আৰম্ভ কৰিছিল; তেওঁ যিৰূচালেমত
আঠ বছৰ ৰাজত্ব কৰিছিল; তেওঁৰ মৃত্যু হোৱাত কাৰো মনত দুখ
নালাগিল৷ লোকসকলে তেওঁক দায়ূদৰ নগৰত মৈদাম দিলে, কিন্তু
ৰজাসকলৰ ৰাজকীয় মৈদামৰ ঠাইত নিদিলে।

২২ তেতিয়া যিৰূচালেমৰ নিবাসীসকলে যিহোৰামৰ কনিষ্ঠ পুত্ৰ
অহজিয়াক তেওঁৰ পদত ৰজা পাতিলে; কাৰণ আৰবীয়াসকলৰ
সৈতে ছাউনিলৈ অহা লোকৰ দলটোৱে তেওঁৰ আটাই কেইজন
বৰ পুত্ৰক বধ কৰিছিল। সেয়েহে যিহূদাৰ ৰজা যিহোৰামৰ পুত্ৰ
অহজিয়া ৰজা হ’ল। ২ অহজিয়াই বিয়াল্লিশ বছৰ বয়সত ৰাজত্ব
আৰম্ভ কৰিছিল৷ তেওঁ যিৰূচালেমত এবছৰ ৰাজত্ব কৰিলে৷ তেওঁৰ
মাতৃৰ নাম অথলিয়া আছিল; তেখেত অম্ৰীৰ নাতিয়েক আছিল। ৩
তেওঁৰ মাতৃয়ে তেওঁক মন্ত্ৰণা দিছিল, আৰু তেওঁ আহাবৰ বংশৰ পথত
চলি কু-আচৰণ কৰিছিল। ৪ আহাবৰ বংশৰ লোকসকলৰ নিচিনাকৈ
তেওঁ যিহোৱাৰ দৃষ্টিত কু-আচৰণ কৰিছিল, কাৰণ তেওঁৰ পিতৃৰ
মৃত্যুৰ পাছত তেওঁলোকেই তেওঁৰ পৰামৰ্শ দিওঁতা আছিল, আৰু
তেওঁলোকেই তেওঁক বিনাশ কৰিলে। ৫ তেওঁ তেওঁলোকৰ পৰামৰ্শ
অনুসৰণ কৰিলে; তেওঁ ইস্ৰায়েলৰ ৰজা আহাবৰ পুত্ৰ যিহোৰামৰ লগত
ৰামোৎ-গিলিয়দত অৰামৰ ৰজা হজায়েলৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ গ’ল৷
তাতে অৰামীয়াসকলে যোৰামক আঘাত কৰিলে। ৬ এই হেতুকে,
তেওঁ অৰামৰ ৰজা হজায়েলে সৈতে যুদ্ধ কৰা সময়ত, অৰামীয়াসকলে
ৰামাত তেওঁক যি আঘাত কৰিছিল, সেই ঘা-বোৰৰ পৰা সুস্থ হ’বলৈ
তেওঁ যিজ্ৰিয়েললৈ ঘূৰি আহিল। তেতিয়া যিহূদাৰ ৰজা যিহোৰামৰ পুত্ৰ
অজৰিয়াই আহাবৰ পুত্ৰ যোৰামক চাবলৈ যিজ্ৰিয়েললৈ নামি গ’ল;
কিয়নো তেওঁক আঘাত কৰা হৈছিল৷ ৭ কিন্তু অহজিয়াই যোৰামৰ
ওচৰলৈ যোৱাৰ কাৰণে ঈশ্বৰৰ পৰা তেওঁলৈ বিনাশ আহিল; কিয়নো
তেওঁ যেতিয়া আহিছিল, তেতিয়া তেওঁ আৰু যিহোৰামে নিমচীৰ পুত্ৰ
যেহূক আক্ৰমণ কৰিবলৈ ওলাই আহিছিল। কিয়নো যেহূক আহাবৰ
বংশ উচ্ছন্ন কৰিবৰ বাবে যিহোৱাই অভিষেক কৰিছিল। ৮ পাছত

যেহূৰে যি সময়ত আহাবৰ বংশৰ ওপৰত ঈশ্বৰৰ দণ্ড সাধিছিল,
সেই সময়ত তেওঁ যিহূদাৰ অধ্যক্ষসকলক আৰু অহজিয়াৰ পৰিচৰ্যা
কৰোঁতা তেওঁৰ ভায়েকসকলৰ পুত্ৰসকলক পাই বধ কৰিছিল। ৯
পাছত তেওঁ অহজিয়াক বিচাৰিলে; লোকসকলে তেওঁক চমৰিয়াত
লুকাই থকা অৱস্থাত ধৰি যেহূৰ ওচৰলৈ আনি তেওঁক বধ কৰিলে৷
লোকসকলে তেওঁক মৈদাম দি ক'লে বোলে, "যি যিহোচাফটে তেওঁৰ
সকলো মনে সৈতে যিহোৱাক বিচাৰিছিল, তেওঁ সেই জনৰ সন্তান৷"
তাতে সেই ৰাজ্যভাৰ ল'বলৈ অহজিয়াৰ বংশৰ মাজত কাৰো সমৰ্থ
নাছিল। ১০ অহজিয়াৰ মাক অথলিয়াই যেতিয়া নিজৰ পুত্ৰৰ মৃত্যু
হোৱা দেখিলে, তেতিয়া তেওঁ উঠি যিহূদাৰ গোটেই ৰাজ-বংশকে
সংহাৰ কৰিলে। ১১ কিন্তু ৰজাৰ জীয়েক যিহোচাবতে অহজিয়াৰ
পুত্ৰ যোৱাচক বধ কৰিবলগীয়া ৰাজকোঁৱৰসকলৰ মাজৰ পৰা চুৰ
কৰি আনিলে, আৰু তেওঁক ধাইমাকে সৈতে বিছনা ৰখা কোঁঠালি
এটাত ৰাখি হ'ল৷ এইদৰে যিহোয়াদা পুৰোহিতৰ ভাৰ্য্যা, যিহোৰাম
ৰজাৰ জীয়েক আৰু অহজিয়াৰ ভনীয়েক সেই যিহোচাবতে যোৱাচক
অথলিয়াৰ পৰা লুকুৱালে যাতে ৰাণীয়ে তেওঁক বধ কৰিব নোৱাৰে।
১২ পাছত তেওঁ তেওঁলোকে সৈতে ঈশ্বৰৰ গৃহত ছবছৰ লুকাই থাকিল;
সেই সময়ত অথলিয়াই দেশৰ ওপৰত ৰাজত্ব কৰিছিল।

২৩ পাছত সপ্তম বছৰত যিহোয়াদাই প্ৰভাৱশালীৰে কাৰ্য কৰিলে৷
তেওঁ শতপতিসকলক, যিৰোহমৰ পুত্ৰ অজৰিয়াক; যিহোহাননৰ পুত্ৰ
ইশ্মায়েলক; ওবেদৰ পুত্ৰ অজৰিয়াক; অদায়াৰ পুত্ৰ মাচেয়াক; আৰু
জিখ্ৰীৰ পুত্ৰ ইলীচাফটক লৈ নিজৰে সৈতে এটি নিয়ম কৰিলে। ২ তাৰ
পাছত তেওঁলোকে যিহূদা দেশত ফুৰি, যিহূদাৰ সকলো নগৰৰ পৰা
লেবীয়াসকলক আৰু ইস্ৰায়েলৰ পিতৃ-বংশৰ মুখীয়ালসকলক গোটাই
লৈ তেওঁলোকে যিৰূচালেমলৈ আহিল। ৩ পাছত গোটেই সমাজে ঈশ্বৰৰ
গৃহত ৰজাৰ লগত এটি নিয়ম কৰিলে। যিহোয়াদাই তেওঁলোকক কলে,
"চোৱা, দায়ূদৰ সন্তান সকলৰ বিষয়ে কোৱা যিহোৱাৰ বাক্য অনুসাৰে
ৰজাৰ পুত্ৰই ৰাজত্ব কৰিব। ৪ এইটোৱেই হৈছে তোমালোকে কৰিবই
লাগিব: তোমালোকৰ পুৰোহিত আৰু লেবীয়াসকলৰ যিমান লোক

বিশ্ৰাম-বাৰত সেৱা কৰিব তেওঁলোকৰ তিনি ভাগৰ এভাগে দুৱৰী হ'ব;
৫ দ্বিতীয় ভাগ ৰাজগৃহত থাকিব; আৰু তৃতীয় ভাগে প্ৰৱেশ দুৱাৰত
থাকিব৷ সকলো লোক যিহোৱাৰ গৃহৰ চোতালত থাকিব। ৬ কিন্তু
পুৰোহিতসকল আৰু পৰিচৰ্যা কৰোঁতা লেবীয়াসকলৰ বাহিৰে আন
কোনো লোকক যিহোৱাৰ গৃহত প্ৰৱেশ কৰিবলৈ নিদিবা; তেওঁলোকহে
সোমাব, কাৰণ তেওঁলোকে সেই ঠাইতে কাৰ্য কৰে৷ সকলোৱে
যিহোৱাৰ আজ্ঞাবোৰ পালন কৰিব লাগিব। ৭ আৰু লেবীয়াসকলৰ
প্ৰতিজনে নিজ হাতত অস্ত্ৰ লৈ ৰজাক আবৰি ৰাখিব লাগিব৷ যি জন
লোকেই গৃহৰ ভিতৰত সোমাব, তেওঁক বধ কৰা হওঁক৷ ৰজাই যেতিয়া
ভিতৰলৈ আহে বা বাহিৰলৈ ওলাই যায়, তেতিয়া তোমালোকে তেওঁৰ
লগে লগে থাকিবা৷" ৮ তাতে যিহোয়াদা পুৰোহিতে যি যি আজ্ঞা
দিছিল, লেবীয়াসকল আৰু গোটেই যিহূদাই সেইদৰে সকলো সেৱা
কৰিলে৷ তেওঁলোক প্ৰতিজনে বিশ্ৰাম বাৰে সোমোৱা আৰু বিশ্ৰাম বাৰে
ওলোৱা নিজ নিজ লোকসকলক ল'লে, কিয়নো যিহোয়াদা পুৰোহিতে
পাল আদায় হোৱা লোকসকলক বিদায় নিদিলে। ৯ তাৰ পাছত দায়ুদ
ৰজাৰ যি যি বৰচা, ঢাল আৰু বাৰূ ঈশ্বৰৰ গৃহত আছিল, যিহোয়াদা
পুৰোহিতে সেইবোৰ শতপতিসকলক দিলে। ১০ তেওঁ সকলো লোকক
গৃহৰ সোঁ কাষৰ পৰা বাওঁ কাষলৈকে যজ্ঞবেদীৰ আৰু গৃহৰ মাজ
ঠাইত ৰজাৰ চাৰিওফালে ৰাখিলে; তেওঁলোকৰ প্ৰতিজনৰ হাতত
অস্ত্ৰ আছিল। ১১ তাৰ পাছত তেওঁলোকে ৰাজকোঁৱৰক বাহিৰলৈ
উলিয়াই আনি, তেওঁৰ মূৰত কিৰীটি আৰু হাতত সাক্ষ্যপুস্তক দি
তেওঁক ৰজা পাতিলে আৰু যিহোয়াদা ও তেওঁৰ পুত্ৰসকলে তেওঁক
অভিষেক কৰিলে৷ তেতিয়া সকলোৱে ক'লে, "ৰজা চিৰজীৱি হওঁক।"
১২ যেতিয়া অথলিয়াই লোকসকলক লৰাঢাপৰা কৰা আৰু ৰজাক
প্ৰশংসা কৰি চিঞৰ-বাখৰ কৰা শুনিলে তেতিয়া তেওঁ যিহোৱাৰ গৃহলৈ
লোকসকলৰ ওচৰলৈ আহিল; ১৩ আৰু চাই দেখিলে যে, সোমোৱা
ঠাইত ৰজা নিজ স্তম্ভটোৰ ওচৰত থিয় হৈ আছে আৰু শতপতিসকল ও
তুৰী বজোৱাসকল ৰজাৰ ওচৰত আছে৷ দেশৰ সকলো লোকসকলে
আনন্দ কৰি আছিল, তুৰী বজাই আছিল আৰু প্ৰশংসা কৰিব জনা

নিপুণ গায়কসকলে বাদ্যযন্ত্র লৈ গীত গাই আছিল। তেতিয়া অথলিয়াই
নিজৰ কাপোৰ ফালি, “ৰাজদ্ৰোহী! ৰাজদ্ৰোহী!” বুলি চিঞৰি চিঞৰি
ক'লে। ১৪ কিন্তু যিহোয়াদা পুৰোহিতে সৈন্যৰ অধ্যক্ষ শতপতিসকলক
বাহিৰলৈ আনি ক'লে, “তাইক দুই শাৰীৰ মাজেদি বাহিৰলৈ লৈ যোৱা;
যি জন লোক তাইৰ পাছত যাব, তেওঁক তৰোৱালেৰে বধ কৰা হওক।”
কিয়নো পুৰোহিতে কৈছিল, “যিহোৱাৰ গৃহৰ ভিতৰত তাইক বধ
নকৰিবা।” ১৫ তেতিয়া লোকসকলে তেওঁৰ বাবে বাট এৰি দিলে আৰু
তেওঁ অশ্ব-দুৱাৰৰ সোমোৱা ঠাইলৈ গৈ ৰাজগৃহত সোমাল আৰু সেই
ঠাইতে তেওঁলোকে তেওঁক বধ কৰিলে। ১৬ তাৰ পাছত লোকসকলে
যেন যিহোৱাৰ প্ৰজা হয়, এই ভাবেৰে যিহোয়াদাই নিজৰ আৰু আটাই
প্ৰজা ও ৰজাৰ মাজত এটি নিয়ম কৰিলে। ১৭ তেতিয়া সকলো
লোক বালৰ ঘৰলৈ গৈ সেই ঘৰ ভাঙি পেলালে৷ তাতে তাৰ বেদী
ও মূৰ্ত্তিবোৰ ডোখৰ ডোখৰ কৰিলে আৰু বেদীবোৰৰ আগত বালৰ
পুৰোহিত মত্তনক বধ কৰিলে। ১৮ আৰু দায়ূদৰ আদেশ অনুসাৰে,
আনন্দেৰে আৰু গানেৰে সৈতে, মোচিৰ ব্যৱস্থাত লিখামতে, যিহোৱাৰ
উদ্দেশ্যে হোম-বলি উৎসৰ্গ কৰিবলৈ, দায়ূদে যিহোৱাৰ গৃহত যি
লেবীয়া পুৰোহিতসকলক ভাগ ভাগ কৰি দিছিল, তেওঁলোকৰ হাতত
যিহোয়াদাই যিহোৱাৰ গৃহৰ কাৰ্য্যভাৰৰ বাবে তেওঁলোকক নিযুক্ত
কৰিলে। ১৯ যাতে কোনো প্ৰকাৰ অশুচি লোকে যেন নোসোমায়, এই
কাৰণে তেওঁ যিহোৱাৰ গৃহৰ আটাই দুৱাৰত দুৱৰী ৰাখিলে। ২০ পাছত
যিহোয়াদাই শতপতিসকলক, মান্যৱন্ত লোকসকলক, লোকসকলৰ
শাসনকৰ্ত্তাসকলক আৰু দেশৰ সকলো লোকক লগত লৈ ৰজাক
যিহোৱাৰ গৃহৰ পৰা নমাই আনিলে; তেওঁলোকে ওপৰ দুৱাৰেদি আহি
ৰাজ গৃহত সোমাই ৰাজ সিংহাসনত ৰজাক বহুৱালে। ২১ তেতিয়া
দেশৰ সকলো মানুহে আনন্দ কৰিলে আৰু নগৰ সুখিলে থাকিল। কিন্তু
অথলিয়াক হ'লে লোকসকলে তৰোৱালেৰে বধ কৰিলে৷

**২৪** যোৱাচে সাত বছৰ বয়সত ৰজা হৈ, যিৰূচালেমত চল্লিশ বছৰ
কাল ৰাজত্ব কৰিলে; তেওঁৰ মাক বেৰ-চেবা-নিবাসিনী চিবিয়া আছিল।
২ যিহোয়াদা পুৰোহিতৰ জীৱনৰ সকলো কালত, যিহোৱাৰ দৃষ্টিত

যি ন্যায়, যোৱাচে তাকে কৰিলে। ৩ যিহোয়াদাই দুজনী ছোৱালী
বাছি লৈ যোৱাচৰ লগত বিয়া দিলে; তাতে তেওঁৰ ঔৰসত কেইবাজন
পুত্ৰ আৰু কেইবাজনীও জীয়েক জন্ম হ'ল। ৪ ইয়াৰ পিছত যিহোৱাৰ
গৃহ আগৰ দৰে পুনঃপ্ৰতিষ্ঠা কৰিবলৈ যোৱাচে স্থিৰ কৰিলে। ৫
তেওঁ পুৰোহিত আৰু লেবীয়াসকলক গোটাই তেওঁলোকক ক'লে,
"তোমালোকে যিহূদাৰ নগৰবোৰলৈ ওলাই যোৱা আৰু বছৰে বছৰে
তোমালোকৰ ঈশ্বৰৰ গৃহৰ মেৰামত কাৰ্য কৰিবলৈ গোটেই ইস্রায়েলৰ
পৰা ৰূপ গোটোৱা, এই কাৰ্য বেগাই কৰা।" কিন্তু লেবীয়াসকলে তাক
বেগাই নকৰিলে। ৬ পাছে ৰজাই প্ৰধান পুৰোহিত যিহোয়াদাক মতাই
আনি ক'লে, "সাক্ষ্য ফলিৰ তম্বুৰ বাবে ঈশ্বৰৰ দাস মোচিয়ে আৰু
ইস্রায়েলৰ সমাজে নিৰূপণ কৰা কৰ যিহূদা আৰু যিৰূচালেমৰ পৰা
আনিবলৈ তুমি লেবীয়াসকলক কিয় কোৱা নাই?" ৭ কিয়নো সেই দুষ্ট
তিৰোতা অথলিয়াৰ পুতেকহঁতে ঈশ্বৰৰ গৃহ ভাঙিছিল আৰু যিহোৱাৰ
গৃহত থকা আটাই পবিত্ৰ বস্তু লৈ বাল দেৱতাৰ কাৰণে খৰচ কৰিছিল।
৮ গতিকে ৰজাই আজ্ঞা কৰাত, তেওঁলোকে এটা চন্দুক সাজি তাক
যিহোৱাৰ গৃহৰ দুৱাৰমুখৰ বাহিৰ ফালে ৰাখিলে। ৯ আৰু ঈশ্বৰৰ
দাস মোচিয়ে মৰুপ্ৰান্তত ইস্রায়েলৰ ওপৰত যি বাধ্যতামুলক কৰ স্থিৰ
কৰিছিল, তাক যিহোৱাৰ উদ্দেশ্যে আনিবলৈ, যিহূদা আৰু যিৰূচালেমৰ
সকলো ফালে ঘোষণা কৰা হ'ল। ১০ তাতে আটাই অধ্যক্ষসকলে
আৰু সকলো প্ৰজাই আনন্দেৰে তাক আনি, কাৰ্য শেষ নোহোৱালৈকে
চন্দুকত দি থাকিল। ১১ আৰু লেবীয়াসকলৰ হতুৱাই চন্দুকটো ৰজাৰ
নিযুক্ত লোকসকলৰ ওচৰলৈ নিয়া সময়ত যেতিয়াই তাৰ ভিতৰত
অনেক ৰূপ দেখে, ৰাজলিখকে আৰু প্ৰধান পুৰোহিতৰ নিযুক্ত এজন
লোকে আহি চন্দুকটো অজৰাই তাক খালি কৰি, পুনৰাই দাঙি নি তাৰ
নিজ ঠাইত ৰাখেগৈ; দিনে দিনে এইদৰে কৰি তেওঁলোকে অনেক
ৰূপ গোটালে। ১২ পাছত ৰজা আৰু যিহোয়াদাই যিহোৱাৰ গৃহৰ
পৰিচৰ্যা কৰা লোকসকলক সেই ৰূপ দিলে৷ তেওঁলোক যিহোৱাৰ
গৃহ আগৰ দৰে কৰি ৰাখিবৰ বাবে ভাড়া কৰি অনা ৰাজমিস্ত্ৰী আৰু
কাঠমিস্ত্ৰী আৰু যিহোৱাৰ গৃহ মেৰামত কৰিবৰ বাবে লোহাৰ আৰু

পিতলৰ কাম কৰোঁতাসকল আছিল। ১৩ তাতে কাম কৰোঁতা সকলে
কাম কৰাত, তেওঁলোকৰ দ্বাৰাই সম্পূৰ্ণকৈ কাৰ্য সমাধা কৰা হ'ল;
এইদৰে তেওঁলোকে ঈশ্বৰৰ গৃহ আচল নক্সাত মজবুত কৰি প্ৰতিষ্ঠা
কৰিলে। ১৪ কাম কৰি এটোৱাৰ পাছত, তেওঁলোকে বাকী থকা
ৰূপখিনি ৰজা আৰু যিহোয়াদাৰ আগলৈ আনিলে৷ তাৰ দ্বাৰাই যিহোৱাৰ
গৃহৰ বাবে নানা পাত্ৰ, অৰ্থাৎ পৰিচৰ্যা কৰা পাত্ৰ আৰু হোম কৰা
পাত্ৰ আৰু পিয়লা আদি সোণৰ আৰু ৰূপৰ পাত্ৰ সজা কাৰ্যত ব্যৱহাৰ
কৰা হৈছিল। আৰু যিহোয়াদাৰ দিনৰ সকলো সময়তে যিহোৱাৰ
গৃহত সদায় হোম-বলি দিয়া হৈছিল। ১৫ পাছে যিহোয়াদাই বৃদ্ধ হৈ
সম্পূৰ্ণ আয়ুস পাই মৰিল; মৃত্যুৰ সময়ত তেওঁৰ এশত্ৰিশ বছৰ বয়স
আছিল। ১৬ তেওঁলোকে তেওঁক দায়ূদৰ নগৰত ৰজাসকলৰ লগত
মৈদাম দিলে; কিয়নো তেওঁ ইস্ৰায়েলৰ মাজত আৰু ঈশ্বৰৰ সম্পৰ্কে ও
ঈশ্বৰৰ গৃহৰ সম্পৰ্কে মঙ্গলজনক কাৰ্য কৰিছিল৷ ১৭ যিহোয়াদাৰ মৃত্যুৰ
পাছত, যিহূদাৰ অধ্যক্ষসকলে আহি ৰজাক প্ৰণিপাত কৰিলে৷ তেতিয়া
ৰজাই তেওঁলোকৰ কথা শুনিলে। ১৮ তেওঁলোকে তেওঁলোকৰ ওপৰ
পিতৃসকলৰ ঈশ্বৰ যিহোৱাৰ গৃহ ত্যাগ কৰি, আচেৰা মুৰ্ত্তিবোৰক
আৰু নানা প্ৰতিমাবোৰক পূজা কৰিবলৈ ধৰিলে৷ তেওঁলোকৰ সেই
দোষৰ কাৰণে যিহূদালৈ আৰু যিৰূচালেমলৈ ঈশ্বৰৰ ক্ৰোধ আহিল।
১৯ তথাপি যিহোৱালৈ তেওঁলোকক ওভটাই আনিবৰ বাবে তেওঁ
ভাববাদীসকলক তেওঁলোকৰ ওচৰলৈ পঠিয়াই দিলে আৰু তেওঁলোকে
তেওঁলোকৰ অহিতে সাক্ষ্য দিলে, কিন্তু তেওঁলোকে তাক শুনিবলৈ
অমান্তি হ'ল। ২০ পাছে যিহোয়াদা পুৰোহিতৰ পুত্ৰ জখৰিয়াৰ ওপৰত
ঈশ্বৰৰ আত্মা স্থিতি হ'ল; তেওঁ লোকসকলতকৈ ওখ ঠাই এটাত থিয়
হৈ তেওঁলোকক ক'লে, "ঈশ্বৰে এই কথা কৈছে: 'তোমালোকে কিয়
যিহোৱাৰ আজ্ঞা উলঙ্ঘন কৰিছাহঁক? এইদৰে তোমালোকে কৃতকাৰ্য্য
নহ'বা? যিহেতু তোমালোকে যিহোৱাক ত্যাগ কৰিলা, এই হেতুকে
তেওঁ তোমালোককো ত্যাগ কৰিলে'৷" ২১ কিন্তু লোকসকলে তেওঁৰ
বিৰুদ্ধে চক্ৰান্ত কৰিলে; ৰজাৰ আজ্ঞাৰে যিহোৱাৰ গৃহৰ চোতালতে
তেওঁক শিল দলিয়াই বধ কৰিলে। ২২ তেওঁৰ পিতৃ যিহোয়াদাই যে

ৰজাৰৈ দয়া কৰিছিল, তাক যোৱাচ ৰজাই সোঁৱৰণ নকৰি যিহোৱাদাৰ
পুত্ৰক এইদৰে বধ কৰালে৷ জখৰিয়াই তেওঁৰ মৃত্যুৰ সময়ত কৈছিল,
“যিহোৱাই দৃষ্টি কৰি ইয়াৰ প্ৰতিশোধ লওঁক।” ২৩ প্ৰায় এবছৰৰ
মুৰত অৰামৰ সৈন্য-সামন্ত যোৱাচৰ বিৰুদ্ধে উঠিল৷ তেওঁলোকে যিহূদা
আৰু যিৰূচালেমলৈ আহি লোকসকলৰ মাজৰ সকলো অধ্যক্ষক বিনষ্ট
কৰিলে আৰু তেওঁলোকৰ আটাই লুটদ্ৰব্য দম্মেচকৰ ৰজাৰ ওচৰলৈ
পঠিয়াই দিলে। ২৪ কিয়নো যদিও অৰামীয়াসকলৰ অলপ লোক
থকা সৈন্য সামন্ত আহিল, তথাপি যিহোৱাই তেওঁলোকৰ হাতত,
অতিশয় অধিক লোক থকা সৈন্যসামন্তক শোধাই দিলে, কাৰণ যিহূদাৰ
লোকসকলে তেওঁলোকৰ ওপৰ পিতৃসকলৰ ঈশ্বৰ যিহোৱাক ত্যাগ
কৰিলে। এইদৰে অৰামীয়াসকলে যোৱাচৰ ওপৰত বিচাৰ আনিলে।
২৫ অৰামীয়াসকল গুচি যোৱাৰ পাছত যোৱাচ গুৰুত্বৰভাৱে আঘাতপ্ৰাপ্ত
হৈছিল৷ তেতিয়া তেওঁৰ দাসবোৰে যিহোয়াদাক পুৰোহিতৰ পুত্ৰসকলৰ
ৰক্তপাতৰ কাৰণে চক্ৰান্ত কৰি, তেওঁৰ শয্যাতে তেওঁক বধ কৰিলে,
তাতে তেওঁ মৰিল; পাছত তেওঁক দায়ূদৰ নগৰত মৈদাম দিয়া
হ'ল, কিন্তু ৰজাসকলৰ মৈদামৰ ঠাইত মৈদাম দিয়া নহ'ল। ২৬
অম্মোনীয়ানী চিমিয়তৰ পুতেক যাবদ আৰু মোৱাবীয়ানী চিম্ৰীতৰ
পুতেক যিহোজাবদ, এই দুজনেই তেওঁৰ বিৰুদ্ধে চক্ৰান্ত কৰিছিল। ২৭
তেওঁৰ পুত্ৰসকলৰ কথা, তেওঁৰ বিৰুদ্ধে কোৱা গুৰুতৰ ভাৱবাক্য আৰু
ঈশ্বৰৰ গৃহ পুনৰায় স্থাপন কৰা কথা ৰজাসকলৰ ইতিহাস-পুস্তকৰ
টীকাশাস্ত্ৰখনত লিখা আছে। পাছত তেওঁৰ পুত্ৰ অমচিয়া তেওঁৰ পদত
ৰজা হ'ল।

**২৫** অমচিয়াই পঁচিশ বছৰ বয়সত ৰাজপদ লৈ যিৰূচালেমত ঊনত্ৰিশ
বছৰ ৰাজত্ব কৰিলে৷ তেওঁৰ মাতৃ যিৰূচালেম-নিবাসিনী যিহোৱাদ্দন
আছিল। ২ যিহোৱাৰ দৃষ্টিত যি ন্যায়, তেওঁ তাকে কৰিছিল, কিন্তু
সিদ্ধ মনেৰে কৰা নাছিল। ৩ তেওঁ ৰজা হিচাপে নিজৰ অধিকাৰ
প্ৰায় ভালদৰে স্থাপিত কৰাৰ পাছত, তেওঁৰ পিতৃ ৰজাক বধ কৰা
নিজৰ দাসবোৰক তেওঁ বধ কৰিছিল। ৪ কিন্তু তেওঁ তেওঁলোকৰ
সন্তান সকলক বধ কৰা নাছিল৷ মোচিৰ ব্যৱস্থা-পুস্তকখনত লিখা

যিহোৱাৰ আজ্ঞা অনুসাৰে তেওঁ কাৰ্য কৰিছিল; ব্যৱস্থা-পুস্তকত লিখা
আছিল, “পুত্ৰসকলৰ কাৰণে পিতৃসকল আৰু পিতৃসকলৰ কাৰণে
পুত্ৰসকল নমৰিব৷ প্ৰতিজনে নিজ নিজ পাপৰ কাৰণে মৰিব।” ৫
তদুপৰি অমচিয়াই যিহূদাক এক গোট কৰিছিল আৰু গোটেই যিহূদা
আৰু বিন্যামীনৰ পিতৃবংশ অনুসাৰে সহস্ৰপতি আৰু শতপতিসকলৰ
অধীনত লোকসকলক শৃংখলাকৈ ৰাখিছিল। বিশ বছৰতকৈ অধিক
বয়সীয়া লোকসকলক হিচাব কৰিলে, আৰু যাঠী-ঢাল ধৰি যুদ্ধলৈ যাব
পৰা তিনি লাখ মনোনীত লোকক বিচাৰি পাইছিল। ৬ তেওঁ এশ কিক্কৰ
ৰূপ বেচ হিচাবে দি ইস্ৰায়েলৰ পৰা এক লাখ পৰাক্ৰমী বীৰ পুৰুষ
আনিছিল। ৭ কিন্তু ঈশ্বৰৰ এজন লোক তেওঁৰ ওচৰলৈ আহি ক’লে,
“হে মহাৰাজ, ইস্ৰায়েলৰ সৈন্য আপোনাৰ লগত যাবলৈ নিদিব, কাৰণ
ইস্ৰায়েলৰ লগত নাইবা ইফ্ৰয়িমৰ কোনো সন্তানৰ লগত যিহোৱা
নাথাকে। ৮ কিন্তু আপুনি যদি তেনে কৰ্ম কৰি সাহসী আৰু শক্তিশালী
হৈও যুদ্ধলৈ যায়, তথাপি ঈশ্বৰে হ’লে আপোনাক শত্ৰুবোৰৰ হাতত
পেলাই দিব; কিয়নো সহায় কৰিবলৈ আৰু তলতীয়া কৰিবলৈ ঈশ্বৰৰ
শক্তি আছে।” ৯ তেতিয়া অমচিয়াই ঈশ্বৰৰ সেই লোকজনক ক’লে,
“কিন্তু সেই ইস্ৰায়েলীয়া সৈন্যদলক মই যি এশ কিক্কৰ ৰূপ দিলোঁ
তাৰ বাবে আমি কি কৰিম?” ঈশ্বৰৰ লোকজনে ক’লে, “যিহোৱাই
আপোনাক তাতকৈয়ো অধিক দিব পাৰে।” ১০ তেতিয়া অমচিয়াই
ইফ্ৰয়িমৰ পৰা তেওঁৰ ওচৰলৈ অহা সেই সৈন্যদলক নিজ নিজ ঘৰলৈ
যাবৰ বাবে পৃথক কৰি দিছিল৷ তেতিয়া যিহূদাৰ বিৰুদ্ধে তেওঁলোকৰ
ক্ৰোধ জ্বলি উঠিল আৰু তেওঁলোকে অতি ক্ৰুদ্ধ হৈ নিজ নিজ ঠাইলৈ ঘূৰি
গৈছিল। ১১ তাৰ পাছত অমচিয়া সাহসিয়াল হ’ল, আৰু তেওঁৰ নেতৃত্বত
তেওঁৰ লোকসকলক লৱণ উপত্যকালৈ উলিয়াই লৈ গ’ল; তাতে
তেওঁ চেয়ীৰৰ সন্তান সকলৰ দহ হাজাৰ লোকক পৰাস্ত কৰিছিল।
১২ যিহূদাৰ সৈন্যদলটোৱে তেওঁলোকৰ আন দহ হাজাৰ লোকক
জীয়াই জীয়াই ধৰি বন্দী কৰি আনিছিল৷ তেওঁলোকে বন্দীসকলক
পৰ্বতৰ টিঙলৈ তুলি নি সেই ঠাইৰ পৰা তললৈ পেলাই দিছিল,
যাতে তেওঁলোকৰ আটাইবোৰক গুড়ি হৈ যায়। ১৩ কিন্তু অমচিয়াই

তেওঁৰ লগত যুদ্ধ-যাত্ৰা কৰিবলৈ নিদি ওভোটাই পঠিওৱা সৈন্যদলৰ
লোকসকলে চমৰিয়াৰ পৰা বৈৎ-হোৰোণলৈকে যিহূদাৰ নগৰবোৰ
আক্ৰমণ কৰিলে৷ তেওঁলোকে তিনি হাজাৰ লোকক বধ কৰিলে আৰু
বহুত বস্তু লুট কৰি নিলে। ১৪ ইদোমীয়াসকলক বধ কৰি ঘূৰি অহাৰ
পাছত, অমচিয়াই চেয়ীৰৰ সন্তান সকলৰ দেৱতাবোৰ লগত আনি
নিজৰ দেৱতা বুলি সেইবোৰ স্থাপন কৰিলে৷ তেওঁ সেইবোৰৰ আগত
প্ৰণিপাত কৰিবলৈ ও সেইবোৰৰ উদ্দেশ্যে ধূপ জ্বলাবলৈ ধৰিলে।
১৫ তেতিয়া অমচিয়ালৈ যিহোৱাৰ ক্ৰোধ প্ৰজ্বলিত হ'ল৷ যিহোৱাই
তেওঁৰ ওচৰলৈ এজন ভাববাদী পঠিয়ালে, তেওঁ ৰজাক ক'লে, “যি
জাতিৰ দেৱতাবোৰে নিজ প্ৰজাসকলক তোমাৰ হাতৰ পৰা উদ্ধাৰ
কৰিবলৈ নোৱাৰিলে, সেইবোৰক তুমি কিয় বিচাৰ কৰিছা?” ১৬
ভাববাদীজনে ৰজাক সেই কথা কৈ থকাত, ৰজাই তেওঁক ক'লে,
“আমি জানো তোমাক ৰাজ মন্ত্ৰী পাতিলোঁ? মনে মনে থাকা; তোমাৰ
কিয় মৰিবলৈ মন?” তেতিয়া সেই ভাববাদীয়ে ক্ষান্ত হৈ ক'লে, “মই
জানো যে ঈশ্বৰে তোমাক বিনষ্ট কৰিবলৈ থিৰ কৰিছে, সেই বাবে
তুমি এই কাম কৰিলা আৰু মোৰ পৰামৰ্শ নুশুনিলা৷” ১৭ তেতিয়া সেই
সময়ত যিহূদাৰ অমচিয়া ৰজাই পৰামৰ্শ-দিওঁতাবোৰৰ পৰা পৰামৰ্শ
লৈ, যেহূৰ নাতি যিহোৱাহজৰ পুত্ৰ যোৱাচ নামেৰে ইস্ৰায়েলৰ ৰজাৰ
ওচৰলৈ দূত পঠিয়াই ক'লে, “আহাঁ, আমি ইজনে সিজনে মুখা-মুখি
হৈ যুদ্ধ কৰোঁহক।” ১৮ তেতিয়া ইস্ৰায়েলৰ ৰজা যোৱাচে যিহূদাৰ
ৰজা অমচিয়াৰ ওচৰলৈ মানুহ পঠিয়ালে, আৰু ক'লে, “লিবানোনত
থকা কাঁইটৰ গছ এজোপাই লিবানোনত থকা এৰচ গছজোপালৈ কৈ
পঠিয়াইছে, বোলে, ‘তোমাৰ জীয়েৰাক পত্নীৰূপে মোৰ পুত্ৰক দিয়া,’
কিন্তু লিবানোনত থকা এটা বনৰীয়া জন্তুৱে সেই ফালে ফুৰি, সেই
কাঁইটৰ গছজোপাক মোহাৰি পেলালে। ১৯ তুমি কৈছিলা, ‘চোৱা, মই
ইদোমক পৰাজয় কৰিলোঁ,’ আৰু তাতে তোমাৰ হৃদয়ে দৰ্প কৰিবলৈ
তোমাৰ সফলতাত গৰ্ব্বী হৈছে; তুমি এতিয়া নিজ ঘৰতে থাকা; কিয়
নিজ অমঙ্গলৰ অৰ্থে যুদ্ধ কৰি তুমি আৰু তোমাৰে সৈতে যিহূদাক
পতিত কৰিবলৈ বিচাৰিছা?” ২০ কিন্তু অমচিয়াই এই কথা নুশুনিলে

কাৰণ ঈশ্বৰৰ পৰা এই ঘটনা হ'ল। কিয়নো লোকসকলে ইদোমীয়া
দেৱতাবোৰক বিচাৰ কৰিছিল, সেই বাবে তেওঁলোকক নিজ শত্ৰুৰ
হাতত তেওঁ শোধাই দিলে৷ ২১ পাছত ইস্ৰায়েলৰ ৰজা যোৱাচে যুদ্ধ
যাত্ৰা কৰিলে; তাতে তেওঁ আৰু যিহূদাৰ ৰজা অমচিয়াই যিহূদাৰ
অধীনত থকা বৈৎচেমচত ইজনে সিজনৰ মুখা-মুখি হ'ল৷ ২২ তেতিয়া
ইস্ৰায়েলৰ আগত যিহূদা বেয়াকৈ পৰাজিত হ'ল আৰু প্ৰতিজন লোকে
নিজ নিজ তম্বুলৈ পলাই যাবলগীয়া হ'ল। ২৩ পাছত ইস্ৰায়েলৰ ৰজা
যোৱাচে যিহোৱাহজৰ নাতি যোৱাচৰ পুত্ৰ যিহূদাৰ ৰজা অমচিয়াক
বৈৎচেমচত ধৰি বন্দী কৰিলে। পাছত তেওঁক যিৰূচালেমলৈ লৈ আহিল
আৰু তেতিয়া ইফ্ৰয়িমৰ দুৱাৰৰ পৰা চুকৰ দুৱাৰলৈকে যিৰূচালেমৰ
গড়ৰ চাৰিশ হাত ভাঙি পেলালে। ২৪ তেওঁ ঈশ্বৰৰ গৃহত ওবেদ-
ইদোমৰ অধীনত ৰাখি থোৱা আটাই সোণ, ৰূপ আৰু সকলো পাত্ৰ
আৰু ৰাজগৃহৰ ভঁৰালত পোৱা বস্তুবোৰ আৰু বন্ধকস্বৰূপে দাসবোৰকো
লৈ তেওঁ চমৰিয়ালৈ ঘূৰি গ'ল। ২৫ যিহোৱাহজৰ পুত্ৰ ইস্ৰায়েলৰ ৰজা
যোৱাচৰ মৃত্যুৰ পাছত, যোৱাচৰ পুত্ৰ যিহূদাৰ ৰজা অমচিয়া পোন্ধৰ
বছৰ জীয়াই আছিল। ২৬ অমচিয়াৰ গুৰুত্বপূৰ্ণ বিষয়বোৰ প্ৰথমৰ পৰা
শেষলৈকে যিহূদাৰ আৰু ইস্ৰায়েলৰ ৰজাসকলৰ ইতিহাস-পুস্তকখনত
লিখা নাই জানো? ২৭ অমচিয়াই যিহোৱাৰ পথ ত্যাগ কৰাৰ পাছত
লোকসকলে যিৰূচালেমত তেওঁৰ বিৰুদ্ধে চক্ৰান্ত কৰিছিল৷ সেয়ে তেওঁ
লাখীচলৈ পলাই গৈছিল, কিন্তু লোকসকলে লাখীচলৈকে তেওঁৰ পাছত
মানুহ পঠিয়ালে আৰু তেওঁক সেই ঠাইত বধ কৰালে। ২৮ তেওঁলোকে
তেওঁক ঘোঁৰাত তুলি আনিলে, আৰু যিহূদাৰ নগৰত তেওঁৰ পূৰ্ব-
পুৰুষসকলৰ লগত তেওঁক মৈদাম দিলে।

**২৬** পাছত যিহূদাৰ সকলো লোকে ষোল্ল বছৰ বয়সীয়া উজ্জিয়াক,
তেওঁৰ পিতৃ অমচিয়াৰ পদত ৰজা পাতিছিল। ২ তেৱেঁই এলত
নগৰ পুনৰ সাজিছিল আৰু পুনৰায় তাক যিহূদাৰ অধীনত ৰাখিছিল।
তাৰ পাছত ৰজাই তেওঁৰ পূৰ্ব-পুৰুষসকলৰ সৈতে নিদ্ৰিত হ'ল। ৩
উজ্জিয়াই ষোল্ল বছৰ বয়সত তেওঁৰ ৰাজত্ব আৰম্ভ কৰিছিল৷ তেওঁ
যিৰূচালেমত বাৱন্ন বছৰ ৰাজত্ব কৰিছিল৷ তেওঁৰ মাতৃ যিখলিয়া,

যিৰূচালেম নিবাসিনী আছিল। ৪ তেওঁ নিজ পিতৃ অমচিয়াৰ সকলো
কাৰ্য অনুসৰণ কৰিছিল আৰু যিহোৱাৰ দৃষ্টিত যি ন্যায় সেয়ে কৰিছিল।
৫ তেওঁ জখৰিয়াৰ জীৱন কালত ঈশ্বৰক বিচাৰিবলৈ স্থিৰ কৰিছিল;
তেওঁ ঈশ্বৰক মানি চলাৰ কাৰণে জখৰিয়াই তেওঁক উপদেশ দিছিল৷
তেওঁ যিমান কাল ঈশ্বৰক বিচাৰিলে, সিমান কাল ঈশ্বৰে তেওঁক সফল
হ'বলৈ দিছিল। ৬ পাছত উজ্জিয়াই যাত্ৰাত ওলাই গৈ পলেষ্টীয়াসকলৰ
বিৰুদ্ধে যুদ্ধ কৰিলে৷ তেওঁ গাত, যবনি আৰু অচ্‌দোদৰ গড়বোৰ ভাঙি
পেলাইছিল আৰু অচদোদৰ অঞ্চলৰ লগতে ফিলিষ্টীয়াসকলৰ মাজত
কেইবাখনো নগৰ সাজিছিল। ৭ ঈশ্বৰে পলেষ্টীয়াসকল, গূৰ-বালত
থকা আৰবীয়াসকল আৰু মায়োনীয়াসকলৰ বিৰুদ্ধে তেওঁক সহায়
কৰিছিল। ৮ তেতিয়া অম্মোনীয়াসকলে উজ্জিয়াক উপহাৰ দিছিল;
আৰু তেওঁৰ যশস্যা মিচৰৰ প্ৰৱেশ কৰা ঠাইলৈকে বিয়পি পৰিছিল,
কিয়নো তেওঁ নিজকে অতিশয় বলৱান কৰি তুলিছিল। ৯ উজ্জিয়াই
যিৰূচালেমৰ চুকৰ দুৱাৰ, উপত্যকাৰ দুৱাৰ আৰু গড়ৰ চুকত থকা দুৰ্গ
বোৰ সাজিছিল, আৰু সেইবোৰ সুৰক্ষিত কৰিছিল। ১০ তেওঁ মৰুপ্ৰান্তত
পহৰা দিয়াৰ কাৰণে স্তম্ভবোৰ সাজিছিল আৰু অনেক নাদ খান্দিছিল;
কাৰণ তেওঁৰ নিম্ন ভূমিত ও সমথলতো অনেক পশুৰ জাক আছিল৷
পৰ্বতত আৰু পথাৰবোৰত তেওঁৰ খেতিয়কসকল আৰু দ্ৰাক্ষাখেতি
কৰোঁতাসকল আছিল, কাৰণ তেওঁ কৃষি কৰ্ম ভাল পাইছিল। ১১
উজ্জিয়াৰ যুদ্ধ কৰোঁতা সৈন্যসামন্তও আছিল। তেওঁলোকে ৰজাৰ
সেনাপতি হননিয়াৰ অধীনত আছিল। যিয়ীয়েল লিখক আৰু মাচেয়া
শাসনকৰ্ত্তাৰ হতুৱাই লিখা সংখ্যা অনুসাৰে তেওঁলোকে দল বান্ধি যুদ্ধ
যাত্ৰা কৰিছিল। ১২ পিতৃ-বংশৰ প্ৰধান পৰাক্ৰমী বীৰসকলৰ সংখ্যা
সৰ্বমুঠ দুই হাজাৰ ছশ লোক আছিল। ১৩ তেওঁলোকৰ অধীনত শত্ৰুৰ
বিৰুদ্ধে ৰজাৰ সহায় কৰিবৰ অৰ্থে, পৰাক্ৰমেৰে যুদ্ধ কৰোঁতা তিনি
লাখ সাত হাজাৰ পাঁচশ লোক আছিল। ১৪ উজ্জিয়াই সেই আটাই
সৈন্যসামন্তৰ কাৰণে ঢাল, যাঠী, শিৰোৰক্ষক টুপি, কৱচ, ধনু আৰু
ফিঙ্গাৰ শিল যুগুত কৰি ৰাখিছিল। ১৫ তেওঁ নিপুণ লোকসকলৰ
বুদ্ধিৰে সজা যন্ত্ৰ যিৰূচালেমত যুগুত কৰাই, সেইবোৰেৰে কাঁড় আৰু

ডাঙৰ শিলবোৰ মাৰি পঠিয়াবৰ বাবে দূৰ্গবোৰৰ ওপৰত আৰু চিদ্ৰ থকা
স্তম্ভবোৰত সেই যন্ত্ৰবোৰ ৰাখিছিল। পাছত তেওঁ বৰকৈ সহায় পাই
অতি শক্তিমান হৈ উঠিছিল। এইদৰে তেওঁৰ যশস্যা দূৰ দেশলৈকে
বিয়পি গৈছিল। ১৬ কিন্তু শক্তিমান হোৱাৰ পাছত তেওঁৰ মন এনেকৈ
গৰ্বিত হ'ল যে, তেওঁ দুষ্কৰ্ম কৰিবলৈ ধৰিলে; তেওঁ নিজ ঈশ্বৰ যিহোৱাৰ
বিৰুদ্ধে সত্যলঙ্ঘন কৰিলে। তেওঁ ধূপবেদীৰ ওপৰত ধূপ জ্বলাবলৈ
যিহোৱাৰ মন্দিৰত সোমাল। ১৭ তাতে অজৰিয়া পুৰোহিত আৰু তেওঁৰ
লগত যিহোৱাৰ আশীজন সাহসিয়াল পুৰুষ পুৰোহিত তেওঁৰ পাছত
সোমাল। ১৮ তেওঁলোকে উজ্জিয়া ৰজাৰ সম্মুখত থিয় হৈ তেওঁক
ক'লে, "হে উজ্জিয়া, যিহোৱাৰ উদ্দেশ্যে ধূপ জ্বলাবলৈ আপোনাৰ
অধিকাৰ নাই; কিন্তু ধূপ জ্বলাবৰ বাবে পবিত্ৰীকৃত হোৱা হাৰোণৰ
সন্তান যি পুৰোহিতসকল, তেওঁলোকৰহে অধিকাৰ আছে। আপুনি
পবিত্ৰ স্থানৰ পৰা বাহিৰ হওঁক, কিয়নো আপুনি সত্যলঙ্ঘন কৰিলে৷
ইয়াতে ঈশ্বৰ যিহোৱাৰ পৰা আপুনি সন্মান নাপাব।" ১৯ তাতে
উজ্জিয়াৰ বৰ খং উঠিল৷ সেই সময়ত ধূপ জ্বলাবৰ বাবে তেওঁৰ হাতত
এটা ধূপাধাৰ আছিল৷ পুৰোহিতসকললৈ তেওঁৰ খং উঠাৰ সময়ত,
মন্দিৰত পুৰোহিতসকলৰ সন্মুখত ধূপবেদীৰ ওচৰত তেওঁৰ কপালত
কুষ্ঠ ৰোগ ওলাই পৰিল। ২০ তেতিয়া অজৰিয়া, প্ৰধান পুৰোহিত
আৰু আন পুৰোহিতসকলে তেওঁলৈ চালে আৰু তেওঁৰ কপালত কুষ্ঠ
ৰোগ হোৱা দেখিলে। তেতিয়া তেওঁক সেই ঠাইৰ পৰা বেগাই খেদি
দিলে; তেওঁ নিজেও বাহিৰলৈ যাবৰ বাবে খৰখেদা কৰিলে; কিয়নো
যিহোৱাই তেওঁক আঘাত কৰিছিল৷ ২১ তেতিয়াৰে পৰা ৰজা উজ্জিয়া
মৃত্যুৰ দিনলৈকে কুষ্ঠৰোগী হৈ থাকিল৷ তেওঁ বেলেগ ঘৰত বাস
কৰিছিল; কিয়নো তেওঁ কুষ্ঠৰোগী আছিল। তেওঁক যিহোৱাৰ মন্দিৰৰ
পৰা বিচ্ছেদ কৰা হৈছিল; তাতে তেওঁৰ পুত্ৰ যোথমে ৰাজগৃহৰ অধ্যক্ষ
হৈ দেশৰ লোকসকলক শাসন কৰিবলৈ ধৰিলে। ২২ উজ্জিয়াৰ বিশেষ
বিষয়বোৰ প্ৰথমৰ পৰা শেষলৈকে সকলো কথা আমোচৰ পুত্ৰ যিচয়া
ভাববাদীয়ে লিখা পুস্তকত আছে। ২৩ পাছত উজ্জিয়া তেওঁৰ পূৰ্ব-
পুৰুষসকলৰ সৈতে নিদ্ৰিত হ'ল; তেওঁলোকে তেওঁৰ পূৰ্ব-পুৰুষসকলৰ

লগত, ৰজাসকলৰ মৈদামনীত তেওঁক মৈদাম দিলে৷ কাৰণ তেওঁলোকে
কৈছিল, “তেওঁ কুষ্ঠৰোগী।” তাৰ পাছত তেওঁৰ পুত্ৰ যোথম তেওঁৰ
পদত ৰজা হ’ল।

**২৭** যোথমে ৰজা হৈ শাসন ভাৰ লওঁতে তেওঁৰ বয়স পঁচিশ বছৰ
আছিল; তেওঁ যিৰূচালেমত ষোল্ল বছৰ ৰাজত্ব কৰিছিল৷ তেওঁৰ মাক
চাদোকৰ জীয়েক যিৰূচা আছিল। ২ তেওঁ নিজ পিতৃ উজ্জিয়াৰ সকলো
কাৰ্যৰ দৰেই, যিহোৱাৰ দৃষ্টিত যি ন্যায়, তাকে কৰিলে৷ আনকি তেওঁ
যিহোৱাৰ মন্দিৰত ধূপ জলাবলৈ সোমোৱা নাছিল৷ কিন্তু লোকসকলে
কু-আচৰণ কৰিয়েই থাকিল। ৩ তেওঁ যিহোৱাৰ গৃহৰ ওপৰৰ দুৱাৰ
পুনৰায় নিৰ্ম্মাণ কৰিলে আৰু ওফেলৰ গড়ৰ অনেক ঠাই পুনৰায়
নিৰ্ম্মাণ কৰিলে৷ ৪ আনকি যিহূদাৰ পৰ্ব্বতীয়া অঞ্চলত নগৰবোৰ
সাজিলে আৰু নানা কাঠনিত দুৰ্গ আৰু ওখ ঘৰবোৰ সাজিলে। ৫
তেওঁ অম্মোনৰ সন্তান সকলৰ ৰজাৰ সৈতে যুদ্ধ কৰি তেওঁলোকক
পৰাজয় কৰিলে৷ তাতে অম্মোনৰ সন্তান সকলে সেই একে বছৰত
তেওঁক এশ কিক্কৰ ৰূপ, দহ হাজাৰ কোৰ ঘেঁহু আৰু দহ হাজাৰ কোৰ
যৱ ধান দিলে৷ দ্বিতীয় আৰু তৃতীয় বছৰতো অম্মোনৰ সন্তান সকলে
তেওঁক একেদৰেই দিলে। ৬ এইদৰে যোথম শক্তিশালী হ’ল, কিয়নো
তেওঁ নিজ ঈশ্বৰ যিহোৱাৰ সাক্ষাতে নিজ পথত দৃঢ়তাৰে চলিছিল৷
৭ যোথমৰ অৱশিষ্ট বৃত্তান্ত, তেওঁৰ সকলো যুদ্ধ আৰু সকলো স্বভাৱ
চৰিত্ৰৰ কথা ইস্ৰায়েল আৰু যিহূদাৰ ৰজাসকলৰ ইতিহাস-পুস্তকখনত
লিখা আছে। ৮ তেওঁ শাসন ভাৰ লওঁতে তেওঁৰ বয়স আছিল পঁচিশ
বছৰ; ৰজা হৈ তেওঁ যিৰূচালেমত ষোল্ল বছৰ ৰাজত্ব কৰিলে। ৯ যোথম
তেওঁৰ ওপৰ পিতৃসকলৰ লগত নিদ্ৰিত হোৱাৰ পাছত, লোকসকলে
তেওঁক দায়ূদৰ নগৰত মৈদাম দিলে৷ পাছত তেওঁৰ পুত্ৰ আহজ, তেওঁৰ
পদত ৰজা হৈছিল।

**২৮** আহজে ৰজা হৈ শাসন ভাৰ লওঁতে তেওঁৰ বয়স আছিল, বিশ
বছৰ; তেওঁ যিৰূচালেমত ষোল্ল বছৰ ৰাজত্ব কৰিছিল। তেওঁৰ ওপৰ
পিতৃ দায়ূদৰ দৰে, যিহোৱাৰ দৃষ্টিত যি ন্যায়, সেয়া তেওঁ নকৰিলে৷ ২
তাৰ পৰিৱৰ্তে তেওঁ ইস্ৰায়েলৰ ৰজাসকলৰ পথত চলিছিল; আনকি

তেওঁ বাল দেৱতাৰ প্ৰতিমাবোৰ কেচাঁ লো সাঁচত ঢালি সাজিছিল। ৩
তাৰ ওপৰি যিহোৱাই ইস্ৰায়েলৰ সন্তান সকলৰ আগৰ পৰা দূৰ কৰা
জাতি সমূহৰ ঘিণলগা ৰীতিৰ দৰে, তেওঁ হিন্নোমৰ উপত্যকাত ধূপ
জ্বলাইছিল আৰু তেওঁৰ নিজৰ সন্তান সকলক জুইত দগ্ধ কৰিছিল। ৪
তেওঁ পবিত্ৰ ঠাইবোৰত, পৰ্ব্বতৰ ওপৰত আৰু প্ৰত্যেক কেঁচাপতীয়া
গছৰ তলত বলিদান কৰিছিল আৰু ধূপ জ্বলাইছিল। ৫ এই হেতুকে
তেওঁৰ ঈশ্বৰ যিহোৱাই তেওঁক অৰামৰ ৰজাৰ হাতত শোধাই দিছিল৷
তাতে অৰামীয়াসকলে তেওঁক পৰাজয় কৰিলে আৰু তেওঁৰ অনেক
লোকক বন্দী কৰি দম্মেচকলৈ লৈ গ'ল। আহজক ইস্ৰায়েলৰ ৰজাৰ
হাততো সমৰ্পণ কৰা হ'ল, যিজনে মহা-সংহাৰেৰে তেওঁক পৰাজয়
কৰিলে৷ ৬ কিয়নো আহজৰ লোকসকল তেওঁলোকৰ পূৰ্ব-পুৰুষসকলৰ
ঈশ্বৰ যিহোৱাক ত্যাগ কৰিলে, সেই বাবে ৰমলিয়াৰ পুত্ৰ পেকহে
যিহূদাৰ এক লাখ বিশ হাজাৰ লোকক একে দিনাই বধ কৰিলে;
তেওঁলোক সকলোৱেই বীৰপুৰুষ আছিল৷ ৭ জিখ্ৰী নামেৰে এজন
শক্তিশালী ইফ্ৰিমীয়া বীৰে ৰাজকোঁৱৰ মাচেয়াক, ঘৰগিৰী অজ্ৰীকামক
আৰু ৰজাৰ প্ৰধান মন্ত্ৰী ইল্কানাক বধ কৰিলে। ৮ তাতে ইস্ৰায়েলৰ
সন্তান সকলে, তেওঁলোকৰ দুই লাখ লোকক তেওঁলোকৰ পত্নী আৰু
তেওঁলোকৰ ল'ৰা ছোৱালীসকল বন্দী কৰি লৈ গ'ল৷ তেওঁলোকে
অনেক বস্তু লুট কৰিলে, আৰু সেই লুটদ্ৰব্যবোৰ চমৰিয়ালৈ লৈ গ'ল।
৯ কিন্তু ওদেদ নামেৰে যিহোৱাৰ এজন ভাববাদী সেই ঠাইত আছিল৷
তেওঁ চমৰিয়ালৈ অহা সেই সৈন্যসামন্তৰ লগত সাক্ষাৎ কৰিবলৈ
বাহিৰ ওলাই গ'ল৷ তেওঁ তেওঁলোকক ক'লে, "কিয়নো তোমালোকৰ
পূৰ্ব-পুৰুষসকলৰ ঈশ্বৰ যিহোৱা যিহূদালৈ ক্ৰুদ্ধ হ'ল, সেই কাৰণে
তেওঁলোকক তোমালোকৰ হাতত সমৰ্পণ কৰিলে; তাতে তোমালোকে
আকাশ চুকি পোৱা ক্ৰোধেৰে তেওঁলোকক বধ কৰিলা। ১০ এতিয়া
যিহূদাৰ আৰু যিৰূচালেমৰ লোকসকলক তোমালোকৰ বন্দী আৰু
বেটী কৰি, বশত ৰাখিবলৈ মন কৰিছাহঁক৷ কিন্তু তোমালোকৰ ঈশ্বৰ
যিহোৱাৰ বিৰুদ্ধে তোমালোকৰ নিজৰো জানো পাপবোৰ নাই? ১১ এই
হেতুকে এতিয়া মোৰ কথা শুনা: তোমালোকৰ ভাইসকলৰ মাজৰ পৰা

বন্দী কৰি অনা লোকসকলক ঘূৰাই পঠিওৱা; কিয়নো যিহোৱাৰ প্ৰচণ্ড
ক্ৰোধ তোমালোকৰ ওপৰতো আছে।” ১২ তেতিয়া ইফ্ৰয়িমৰ সন্তান
সকলৰ মাজৰ নিৰ্দিষ্ট কিছুমান অধ্যক্ষ - যিহোহানৰ পুত্ৰ অজৰিয়া,
মচিল্লেমোটৰ পুত্ৰ বেৰেখিয়া, চল্লূমৰ পুত্ৰ যিহিষ্কিয়া আৰু সদলয়ৰ
পুত্ৰ অমাচাই যুদ্ধ যাত্ৰাৰ পৰা ঘূৰি অহা লোকসকলৰ বিৰুদ্ধে উঠিল;
১৩ তেওঁলোকে তেওঁলোকক ক'লে, “তোমালোকে বন্দী কৰি অনা
লোকসকলক এই ঠাইলৈ নানিবা, কিয়নো আমাৰ পাপ আৰু দোষবোৰ
বঢ়াবৰ অৰ্থে তোমালোকে যিহোৱাৰ গুৰিত আমাক পুনৰ দোষী
কৰিবলৈ মন কৰিছাহঁক; কাৰণ আমাৰ দোষ অধিক আৰু ইস্ৰায়েলৰ
ওপৰত প্ৰচণ্ড ক্ৰোধ আছে।” ১৪ তেতিয়া অস্ত্ৰধাৰী লোকসকলে বন্দী
কৰি অনা সেই লোকসকলক আৰু লুটদ্ৰব্যবোৰ অধ্যক্ষসকলৰ আৰু
সকলো সমাজৰ আগত এৰি থৈ গ'ল। ১৫ পাছত অধ্যক্ষসকলৰ
দ্বাৰাই যিসকলক নাম ধৰি নিযুক্ত কৰা হৈছিল, সেই লোকসকল
উঠি আহিল। তেওঁলোকে বন্দী কৰি অনা লোকসকলক লৈ আহিল
আৰু সেই লুটদ্ৰব্যৰ বস্তুবোৰ ল'লে, পাছত উদঙে থকা লোকসকলক
তেওঁলোকে কাপোৰ পিন্ধালে৷ তেওঁলোকৰ গাত কাপোৰ আৰু ভৰিত
পাদুকা দিলে৷ তেওঁলোকক ভোজন পান কৰালে৷ তেওঁলোকৰ আঘাত
পোৱা ঘা-বোৰত তেল লগালে আৰু তেওঁলোকৰ মাজৰ অতিশয় দুৰ্বল
লোকসকলক গাধবোৰৰ ওপৰত তুলি দিলে৷ পাছত সেই লোকসকলক
যিৰীহো নগৰত থকা তেওঁলোকৰ পৰিয়ালবোৰৰ ওচৰলৈ তেওঁলোকে
লৈ গ'ল৷ এই ঠাইক খেজুৰৰ নগৰ বুলি কোৱা হয়৷ তাৰ পাছত
তেওঁলোক চমৰিয়ালৈ ঘূৰি আহিল। ১৬ সেই সময়ত ৰজা আহজে
সাহায্য অনুৰোধ কৰি অচুৰীয়া ৰজাসকলৰ ওচৰলৈ তেওঁৰ দূত
পঠিয়ালে। ১৭ কিয়নো ইদোমীয়াসকলে পুনৰ আহি যিহূদাক পৰাজয়
কৰি অনেক লোকক বন্দী কৰি লৈ গৈছিল। ১৮ পলেষ্টীয়াসকলেও
নিম্ন ভূমিৰ আৰু যিহূদাৰ দক্ষিণ অঞ্চলৰ নগৰবোৰ আক্ৰমণ কৰিছিল৷
তেওঁলোকে বৈৎচেমচ, অয়ালোন, গদেৰো, উপনগৰে সৈতে চোকো,
উপনগৰে সৈতে তিম্না আৰু উপনগৰে সৈতে গিমজো অধীনত কৰি
লৈছিল আৰু সেইবোৰ ঠাইত তেওঁলোকে বাস কৰিছিল। ১৯ ইস্ৰায়েলৰ

ৰজা আহজৰ কাৰণে যিহোৱাই যিহূদাক নত কৰিলে; কিয়নো তেওঁ
যিহূদাত কুআচৰণ আৰু যিহোৱাৰ বিৰুদ্ধে অতিশয় অপৰাধ কৰিছিল।
২০ পাছত অচুৰৰ তিলগৎ-পিলনেচৰ ৰজা তেওঁৰ ওচৰলৈ আহি
তেওঁক বলৱান নকৰি তেওঁক কষ্টহে দিলে। ২১ কিয়নো অচুৰৰ ৰজাক
মূল্যৱান বস্তুবোৰ দিবলৈ আহজে যিহোৱাৰ গৃহৰ আৰু ৰাজ গৃহৰ পৰা
আৰু অধ্যক্ষসকলৰ পৰা ধন সম্পত্তি লৈছিল৷ কিন্তু ইয়াৰ দ্বাৰাই তেওঁৰ
একো উপকাৰ নহ'ল৷ ২২ ৰজা আহজে তেওঁৰ দুখৰ কালতো যিহোৱাৰ
বিৰুদ্ধে অধিককৈ অপৰাধ কৰিছিল। ২৩ কিয়নো তেওঁ নিজকে পৰাজয়
কৰা দম্মেচকীয় দেৱতাবোৰৰ উদ্দেশ্যে বলিদান কৰিছিল৷ তেওঁ
কৈছিল, “অৰামীয়া ৰজাসকলৰ দেৱতাবোৰে অৰামীয়াসকলক সহায়
কৰিলে; এই হেতুকে ময়ো তেওঁলোকৰ উদ্দেশ্যে বলিদান কৰিম;
তেতিয়া তেওঁলোকে মোকো সহায় কৰিব।” কিন্তু সেইবোৰেই তেওঁৰ
আৰু গোটেই ইস্রায়েলৰ সৰ্ব্বনাশৰ কাৰণ হ'ল। ২৪ পাছত আহজে
ঈশ্বৰৰ গৃহৰ পাত্ৰবোৰ গোটাই লৈছিল আৰু সেই সকলো পাত্ৰ কাটি
ডোখৰ ডোখৰ কৰিছিল৷ তেওঁ যিহোৱাৰ গৃহৰ দুৱাৰবোৰ বন্ধ কৰিছিল
আৰু যিৰূচালেমৰ প্ৰত্যেক চুকত নিজৰ কাৰণে যজ্ঞ-বেদী সাজিছিল।
২৫ তেওঁ ইতৰ দেৱতাবোৰৰ উদ্দেশ্যে ধূপ জ্বলাবৰ কাৰণে যিহূদাৰ
প্ৰত্যেক নগৰত পবিত্ৰ ঠাইবোৰ সাজি তেওঁৰ পূৰ্ব-পুৰুষসকলৰ ঈশ্বৰ
যিহোৱাক ক্ৰোধিত হ'বলৈ এইদৰে উত্তেজিত কৰিছিল৷ ২৬ এতিয়া
তেওঁ কৰা সকলো কৰ্ম আৰু তেওঁৰ চৰিত্ৰৰ বৃত্তান্ত প্ৰথমৰে পৰা
শেষলৈকে সকলো কথা যিহূদাৰ আৰু ইস্রায়েলৰ ৰজাসকলৰ ইতিহাস-
পুস্তকখনত লিখা আছে। ২৭ আহজ তেওঁৰ পূৰ্ব-পুৰুষসকলৰ লগত
নিদ্ৰিত হোৱাৰ পাছত লোকসকলে তেওঁক ইস্রায়েলৰ ৰজাসকলৰ
মৈদামনীত মৈদাম নিদিলে, কিন্তু যিৰূচালেম নগৰৰ মাজত মৈদাম
দিলে৷ তাৰ পাছত তেওঁৰ পুত্ৰ হিষ্কিয়া তেওঁৰ পদত ৰজা হ'ল।

**২৯** হিষ্কিয়াই ৰজা হৈ শাসন ভাৰ লওঁতে তেওঁৰ বয়স পঁচিশ বছৰ
আছিল; তেওঁ যিৰূচালেমত উনত্ৰিশ বছৰ ৰাজত্ব কৰিলে। তেওঁৰ মাতৃ
অবিয়া, জখৰিয়াৰ জীয়েক আছিল। ২ তেওঁ ওপৰ পিতৃ দায়ূদে কৰা
কৰ্মৰ দৰে সকলো কৰ্ম কৰিছিল, তেওঁ যিহোৱাৰ দৃষ্টিত যি ন্যায়,

তাকে কৰিছিল। ৩ তেওঁৰ ৰাজত্বৰ প্ৰথম বছৰৰ প্ৰথম মাহত তেওঁ
যিহোৱাৰ গৃহৰ দুৱাৰবোৰ মেলি সেইবোৰ মেৰামতি কৰিছিল। ৪ তেওঁ
পুৰোহিত আৰু লেবীয়াসকলক মাতি আনি, পূবফালে থকা চোতালত
তেওঁলোকক এক গোট কৰিছিল৷ ৫ তেওঁ তেখেতসকলক ক'লে,
“হে লেবীয়াসকল, আপোনালোকে মোৰ কথা শুনক! আপোনালোকে
এতিয়া নিজক পবিত্ৰ কৰি নিজৰ পূৰ্ব-পুৰুষসকলৰ ঈশ্বৰ যিহোৱাৰ
গৃহ পবিত্ৰ কৰক আৰু পবিত্ৰ স্থানৰ পৰা অশুচি বস্তুবোৰ উলিয়াই
পেলাওঁক। ৬ কিয়নো আমাৰ পূৰ্ব-পুৰুষসকলে সত্যলঙ্ঘন কৰিলে
আৰু আমাৰ ঈশ্বৰ যিহোৱাৰ দৃষ্টিত কু-আচৰণ কৰিলে, বিশেষকৈ
তেওঁলোকে তেওঁক ত্যাগ কৰিলে আৰু যিহোৱাৰ নিবাসৰ ঠাইৰ পৰা
বিমুখ হৈ তালৈ পিঠি দিলে। ৭ তেওঁলোকে আনকি বাৰাণ্ডাৰ দুৱাৰবোৰ
বন্ধ কৰিলে আৰু প্ৰদীপবোৰ নুমুৱাই ৰাখিলে; তেওঁলোকে পবিত্ৰ
স্থানৰ মাজত ইস্ৰায়েলৰ ঈশ্বৰৰ উদ্দেশ্যে ধূপ নজ্বলালে আৰু হোম-বলি
নিদিলে। ৮ এই কাৰণে যিহূদা আৰু যিৰূচালেমৰ ওপৰত যিহোৱাৰ
ক্ৰোধ আহিছে আৰু আপোনালোকে নিজ চকুৰে এতিয়া দেখাৰ দৰে,
ত্ৰাসৰ বিষয়, আচৰিত আৰু ঘৃণাৰ বিষয় হ'বলৈ তেওঁ তেওঁলোকক
শোধাই দিলে। ৯ এই কাৰণে আমাৰ পিতৃসকল তৰোৱালৰ আঘাতত
পতিত হ'ল, আৰু আমাৰ পো, জী আৰু ভাৰ্য্যাসকলক এই কাৰণেই
বন্দী কৰি নিয়া হ'ল। ১০ আমাৰ পৰা ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাৰ প্ৰচণ্ড
ক্ৰোধ যেন আতৰে, তাৰ বাবে তেৰেঁ সৈতে এটি নিয়ম-চুক্তি স্থাপন
কৰিবলৈ এতিয়া মোৰ মনে স্থিৰ কৰিছে। ১১ হে মোৰ বোপাহঁত,
তোমালোকে এতিয়া অৱহেলা নকৰিবা, কিয়নো তোমালোকে যেন
যিহোৱাৰ আগত থিয় হৈ তেওঁৰ পৰিচৰ্যা কৰা আৰু তেওঁৰ পৰিচাৰক
ও ধূপ জ্বলাওঁতা হোৱা, এই কাৰণে তেওঁ তোমালোককেই মনোনীত
কৰিলে।” ১২ তেতিয়া সেই লেবীয়াসকল উঠিল: কহাতৰ সন্তান সকলৰ
মাজৰ অমাচয়ৰ পুত্ৰ মহৎ আৰু অজৰিয়াৰ পুত্ৰ যোৱেল, মৰাৰীৰ
সন্তান সকলৰ মাজৰ অব্দীৰ পুত্ৰ কীচ আৰু যিহল্লেলৰ পুত্ৰ অজৰিয়া;
গেৰ্চোনীয়াসকলৰ মাজৰ জিম্মাৰ পুত্ৰ যোৱাহ আৰু যোৱাহৰ পুত্ৰ
এদন; ১৩ ইলিচাফনৰ সন্তান সকলৰ মাজৰ চিম্ৰী আৰু যুৱেল; আচফৰ

সন্তান সকলৰ মাজৰ জখৰিয়া আৰু মত্তনিয়া; ১৪ হেমনৰ সন্তান
সকলৰ মাজৰ যিহীয়েল আৰু চিমিয়ী আৰু যিদূথূনৰ সন্তান সকলৰ
মাজৰ চময়িয়া আৰু উজ্জীয়েল৷ ১৫ তেওঁলোকে নিজৰ ভাইসকলক
গোটাই নিজক পবিত্ৰ কৰিলে আৰু যিহোৱাৰ বাক্য অনুসাৰে অহা
ৰজাৰ আজ্ঞা পালন কৰি যিহোৱাৰ গৃহ শুচি কৰিবলৈ সোমাল। ১৬
পুৰোহিতসকলে শুচি কৰিবৰ অৰ্থে যিহোৱাৰ গৃহৰ ভিতৰলৈ গ'ল৷
যিহোৱাৰ মন্দিৰৰ ভিতৰত যি যি অশুচি বস্তু তেওঁলোকে পালে,
সেই সকলোকে উলিয়াই আনি যিহোৱাৰ গৃহৰ চোতালত ৰাখিলে৷
পাছত লেবীয়াসকলে সেইবোৰ বাহিৰলৈ উলিয়াই আনিলে আৰু
কিদ্ৰোণ জুৰিত পেলাই দিবৰ কাৰণে সেইবোৰ কঢ়িয়াই লৈ গ'ল।
১৭ এইদৰে তেওঁলোকে প্ৰথম মাহৰ প্ৰথম দিনা সেই গৃহ পবিত্ৰ
কৰিবলৈ আৰম্ভ কৰিছিল আৰু মাহৰ অষ্টম দিনত যিহোৱাৰ গৃহৰ
বাৰাণ্ডা পাইছিল৷ তেওঁলোকে আঠ দিনৰ ভিতৰত যিহোৱাৰ গৃহ পবিত্ৰ
কৰিছিল; আৰু প্ৰথম মাহৰ ষোল্ল দিনৰ দিনা তেওঁলোকে কাম শেষ
কৰিছিল। ১৮ পাছত তেওঁলোকে ৰজা হিষ্কিয়াৰ ওচৰলৈ গৈছিল আৰু
কৈছিল, "আমি যিহোৱাৰ গৃহৰ আটাইবোৰ বস্তু, হোম-বেদি আৰু
তাৰ সকলো সঁজুলি আৰু দৰ্শন-পিঠাৰ মেজ আৰু তাৰ সকলো পাত্ৰ
শুচি কৰিলোঁ। ১৯ তাৰ উপৰিও ৰজা আহজে ৰাজত্ব কৰা কালত
সত্যলঙ্ঘন কৰি যি যি পাত্ৰ পেলাই দিছিল, সেই সকলোকে আমি
যুগুত কৰি পবিত্ৰ কৰিলোঁ। চাওঁক, সেইবোৰ যিহোৱাৰ যজ্ঞবেদীৰ
আগত আছে।" ২০ তেতিয়া হিষ্কিয়া ৰজাই অতি পুৱাই উঠি নগৰৰ
অধ্যক্ষসকলক গোট খুৱালে আৰু তাৰ পাছত তেওঁ যিহোৱাৰ গৃহলৈ
গ'ল। ২১ তেতিয়া তেওঁলোকে ৰাজ্যৰ, ধৰ্মধামৰ আৰু যিহূদাৰ কাৰণে
পাপাৰ্থক বলিস্বৰূপে সাতোটা ভতৰা, সাতোটা মতা ভেড়া, সাতোটা
ভেড়া পোৱালি আৰু সাতোটা মতা ছাগলী অানিলে৷ তাতে তেওঁ
যিহোৱাৰ যজ্ঞবেদীৰ ওপৰত সেইবোৰ উৎসৰ্গ কৰিবলৈ হাৰোণৰ
সন্তান পুৰোহিতসকলক আজ্ঞা দিলে। ২২ এই হেতুকে, তেওঁলোকে
ভতৰাবোৰ মাৰিলে আৰু পুৰোহিতসকলে সেইবোৰৰ তেজ লৈ বেদীত
ছটিয়ালে; আৰু মতা ভেড়াবোৰ মাৰি সেই তেজবোৰ বেদীত ছটিয়ালে;

আৰু ভেড়া পোৱালিবোৰ মাৰি, সেইবোৰৰ তেজ বেদীত ছটিয়ালে।
২৩ পাছত তেওঁলোকে পাপার্থক বলি স্বৰূপে সেই ছাগলীবোৰ ৰজা আৰু
সমাজৰ আগলৈ আনিলে৷ তাৰ পাছত তেওঁলোকে সেইবোৰৰ ওপৰত
হাত ৰাখিলে। ২৪ তাতে পুৰোহিতসকলে সেইবোৰ মাৰি গোটেই
ইস্রায়েলক প্রায়শ্চিত্ত কৰিবৰ অৰ্থে, বেদীত পাপনাশক নৈবেদ্রস্বৰূপে
সেইবোৰৰ তেজ চতিয়াই দিলে; কিয়নো গোটেই ইস্রায়েলৰ কাৰণে
হোমবলি আৰু পাপার্থক বলি দান কৰিবলৈ ৰজাই আজ্ঞা দিছিল।
২৫ হিষ্কিয়াই ৰজা দায়ূদৰ দর্শক গাদ আৰু নাথন ভাববাদীৰ আজ্ঞা
অনুসাৰে তাল, নেবল আৰু বীণা লোৱা লেবীয়াসকলক যিহোৱাৰ
গৃহত উপস্থিত কৰালে; কিয়নো যিহোৱাই তেওঁৰ ভাববাদীসকলৰ
দ্বাৰাই ইয়াকে কৰিবলৈ আজ্ঞা দিছিল। ২৬ এই হেতুকে লেবীয়াসকলে
দায়ূদৰ বাদ্যযন্ত্ৰ আৰু পুৰোহিতসকলে তুৰী হাতত লৈ থিয় হ'ল। ২৭
পাছত হিষ্কিয়াই যজ্ঞবেদীৰ ওপৰত হোম-বলি উৎসর্গ কৰিবলৈ আজ্ঞা
দিলে৷ যেতিয়া হোমৰ আৰম্ভ হ'ল, তেতিয়া তুৰীৰ লগতে ইস্রায়েলৰ
ৰজা দায়ূদৰ বাদ্যযন্ত্ৰে সৈতে যিহোৱাৰ গান আৰম্ভ হ'ল। ২৮ তাতে
গোটেই সমাজে প্রণিপাত কৰিলে৷ গায়কসকলে গীত গালে আৰু
তুৰী বজোৱাসকলে তুৰী বজালে; হোম-বলি শেষ নোহোৱালৈকে
এনেদৰেই চলি থাকিল। ২৯ হোম-বলি শেষ হোৱাৰ পাছত, ৰজা
আৰু তেওঁৰ লগৰ সকলো মানুহে আঁঠুকাঢ়ি প্রণিপাত কৰিলে। ৩০
ইয়াৰ বাহিৰেও হিষ্কিয়া আৰু অধ্যক্ষসকলে, দায়ুদ আৰু আচফ
দর্শকে লিখা বাক্যেৰে যিহোৱাৰ উদ্দেশ্যে প্ৰশংসাৰ গান কৰিবলৈ
লেবীয়াসকলক আজ্ঞা দিলে৷ তেওঁলোকে আনন্দেৰে প্ৰশংশাৰ গান
কৰিলে আৰু মূৰ দোঁৱাই প্রণিপাত কৰিলে। ৩১ তেতিয়া হিষ্কিয়াই
উত্তৰ দি ক'লে, “এতিয়া আপোনালোকে যিহোৱাৰ উদ্দেশ্যে নিজকে
পবিত্ৰ কৰিলে; আপোনালোক ওচৰলৈ আহক আৰু যিহোৱাৰ গৃহলৈ
মঙ্গলাৰ্থক আৰু ধন্যবাদাৰ্থক বলি আনক।” তেতিয়া সমাজে মঙ্গলাৰ্থক
আৰু ধন্যবাদাৰ্থক বলি অানিলে আৰু যিমান লোকৰ ইচ্ছা আছিল,
সেই সকলোৱেও হোম-বলি আনিলে। ৩২ সমাজে অনা হোম-বলিৰ
সংখ্যা এনে; সত্তৰটা ষাঁড়, এশ মতা মেৰ-ছাগ আৰু দুশ মেৰ-ছাগ

পোৱালি৷ এই সকলো যিহোৱাৰ উদ্দেশ্যে দিয়া হোম-বলি আছিল। ৩৩
আৰু ছশ ষাঁড়, তিনি হাজাৰ মেৰ-ছাগ আৰু ছাগলী পবিত্ৰ কৰা হ'ল।
৩৪ কিন্তু পুৰোহিতসকল তাকৰ হোৱা বাবে, তেওঁলোকে আটাইবোৰ
হোম-বলিৰ ছাল বখলিয়াবলৈ অসমৰ্থক হ'ল; এই বাবে সেই কাম
নোহোৱালৈকে, আন পুৰোহিতসকলে নিজক পবিত্ৰ নকৰিলে। পাছত
তেওঁলোকৰ লেবীয়া ভাইসকলে তেওঁলোকক সহায় কৰিলে; কিয়নো
নিজক পবিত্ৰ কৰা কথাত পুৰোহিতসকলতকৈ লেবীয়াসকলৰ মন
অধিক সৰল আছিল। ৩৫ তাৰ ওপৰিও মঙ্গলাৰ্থক বলিবোৰৰ তেলেৰে
আৰু হোম-বলিবোৰৰ উপযুক্ত পেয় নৈবেদ্যেৰে সৈতে সেই হোম-বলি
অধিক আছিল। এইদৰে যিহোৱাৰ গৃহৰ সম্বন্ধীয় কাৰ্য পৰিপাটিকৈ
চলিছিল। ৩৬ ঈশ্বৰে এইদৰে লোকসকলৰ মন যুগুত কৰা বাবে,
হিষ্কিয়া আৰু আন সকলো লোকে আনন্দ কৰিলে; কিয়নো এই কাম
সোনকালে কৰা হৈছিল।

**৩০** পাছত লোকসকলে যেন ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাৰ উদ্দেশ্যে
নিস্তাৰ-পৰ্ব্ব পালন কৰিবলৈ যিৰূচালেমত থকা যিহোৱাৰ গৃহলৈ আহে,
সেই বাবে হিষ্কিয়াই ইস্ৰায়েলৰ আৰু যিহূদাৰ সকলো ফালে দূত
পঠিয়ালে আৰু ইফ্ৰয়িম ও মনচিৰ লোকসকললৈকো পত্ৰ লিখিলে।
২ কিয়নো ৰজা, তেওঁৰ পাত্ৰ মন্ত্ৰীসকল আৰু যিৰূচালেমত থকা
গোটেই সমাজে একেলগে আলোচনা কৰি দ্বিতীয় মাহত নিস্তাৰ-
পৰ্ব্ব পালন কৰিবলৈ স্থিৰ কৰিছিল। ৩ প্ৰয়োজনতকৈ কম সংখ্যক
পুৰোহিতে নিজকে পবিত্ৰ কৰাত আৰু প্ৰজাসকলেও যিৰূচালেমলৈ
আহি গোট খাবলৈ নহা বাবে, তেওঁলোকে নিস্তাৰ-পৰ্ব্ব উচিত ধৰণে
পালন কৰিব পৰা নাছিল। ৪ এই পৰিকল্পনাটো ৰজা আৰু গোটেই
সমাজৰ দৃষ্টিত ন্যায় বোধ হ'ল। ৫ এই হেতুকে, তেওঁলোকে যেন
যিৰূচালেমলৈ আহি ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাৰ উদ্দেশ্যে নিস্তাৰ-পৰ্ব্ব
পালন কৰে, এই কাৰণে তেওঁলোকে বেৰ-চেবাৰ পৰা দানলৈকে
ইস্ৰায়েলৰ সকলো ফালে ঘোষণা কৰিবলৈ বিবেচনাৰে সিদ্ধান্ত ল'লে৷
আচলতে শাস্ত্ৰৰ আজ্ঞামতে তেওঁলোকে বহু লোক লগ লাগি তাক
পালন কৰা নাছিল। ৬ পাছত বাৰ্তাবাহকসকল ৰজাৰ আজ্ঞা অনুসাৰে

ৰজা আৰু তেওঁৰ পাত্ৰমন্ত্ৰীসকলৰ পৰা পত্ৰসমূহ লৈ, ইস্ৰায়েল আৰু
যিহূদাৰ সকলো ঠাইলৈ গ'ল৷ আৰু এই কথা ক'লে যে, “হে ইস্ৰায়েলৰ
সন্তান সকল, তোমালোকৰ যি অৱশিষ্ট ভাগে অচূৰৰ ৰজাসকলৰ
হাতৰ পৰা ৰক্ষা পালা, তোমালোকে অব্ৰাহাম, ইচহাক আৰু ইস্ৰায়েলৰ
ঈশ্বৰ যিহোৱালৈ ঘূৰা, যাতে তেৱোঁ যেন তোমালোকলৈ ঘূৰি চাব
পাৰে। ৭ তোমালোক ওপৰ পিতৃসকলৰ আৰু ভাইসকলৰ নিচিনা
নহ'বা; তেওঁলোকে তেওঁলোকৰ ওপৰ পিতৃসকলৰ ঈশ্বৰ যিহোৱাৰ
বিৰুদ্ধে অপৰাধ কৰিলে আৰু তেওঁ তেওঁলোকক বিনষ্ট হ'বলৈ এৰি
দিলে; ইয়াক তোমালোকে দেখিছা। ৮ তোমালোকে তোমালোকৰ
ওপৰ পিতৃসকলৰ দৰে ঠৰডিঙীয়া নহ'বা; কিন্তু যিহোৱাৰ প্ৰচণ্ড ক্ৰোধ
যাতে তোমালোকৰ পৰা ঘূৰি যায়, সেইবাবে তোমালোকে নিজক
যিহোৱালৈ শোধাই দিয়া আৰু চিৰকালৰ বাবে তেওঁ পবিত্ৰ কৰা
তেওঁৰ ধৰ্মধামত প্ৰৱেশ কৰি, তোমালোকৰ ঈশ্বৰ যিহোৱাৰ আৰাধনা
কৰা। ৯ কিয়নো তোমালোক যদি পুনৰায় যিহোৱালৈ ঘূৰা, তেন্তে
তোমালোকৰ ভাইসকল আৰু সন্তান সকল, বন্দী কৰি নিয়াসকলৰ
পৰা কৃপা পাই এই দেশলৈ উলটি আহিব; কাৰণ তোমালোকৰ ঈশ্বৰ
যিহোৱা কৃপাৱান আৰু মৰমীয়াল। তোমালোক তেওঁলৈ উলটিলে, তেওঁ
তোমালোকৰ পৰা বিমুখ নহ'ব৷” ১০ পাছত বাৰ্তাবাহকসকল গোটেই
ইফ্ৰয়িম আৰু মনচিৰ অঞ্চলৰ সকলো নগৰৰ পৰা জবূলূনলৈকে গ'ল;
কিন্তু লোকসকলে তেওঁলোকক হাঁহিলে আৰু খেঁজেলিয়ালে। ১১ তথাপি
আচেৰৰ, মনচিৰ আৰু জবূলূনৰ কোনো কোনো লোকে নিজকে নম্ৰ কৰি
যিৰূচালেমলৈ আহিল। ১২ তেওঁলোকক এক মনৰ হৃদয় দিবলৈ আৰু
যিহোৱাৰ বাক্যৰ দ্বাৰাই হোৱা ৰজা আৰু পাত্ৰমন্ত্ৰীসকলৰ আজ্ঞা সম্পন্ন
হ'বলৈ ঈশ্বৰৰ হাত যিহূদাৰ ওপৰত অৰ্পিত হ'ল। ১৩ পাছত দ্বিতীয়
মাহত খমীৰ নিদিয়া পিঠাৰ পৰ্ব্ব পালন কৰিবৰ অৰ্থে, যিৰূচালেমলৈ
অনেক লোক আহিল। তাতে এক বৃহৎ সমাজ গোট খালে। ১৪ আৰু
তেওঁলোকে উঠি আহি যিৰূচালেমত থকা যজ্ঞবেদীবোৰ আতৰালে
আৰু ধূপ জ্বলোৱা আটাই বেদী গুচাই কিদ্ৰোণ উপত্যকাত জুই জ্বলাই
সেইবোৰ পুৰিলে। ১৫ পাছত দ্বিতীয় মাহৰ চতুৰ্দ্দশ দিনা তেওঁলোকে

নিস্তাৰ-পৰ্ব্বৰ বলি দিলে৷ পাছত পুৰোহিত আৰু লেবীয়াসকলে লাজ
পাই তেওঁলোকে নিজকে শুচি কৰিলে আৰু যিহোৱাৰ গৃহলৈ হোম-
বলিসমূহ আনিলে। ১৬ তেওঁলোকে ঈশ্বৰৰ লোক মোচিৰ ব্যৱস্থা
অনুসাৰে তেওঁলোকে নিয়ম পালন কৰিলে আৰু নিজ নিজ ঠাইত
থিয় হ'ল৷ পুৰোহিতসকলে লেবীয়াসকলৰ হাতৰ পৰা সেই তেজ লৈ
সকলোলৈ চটিয়ালে। ১৭ কিয়নো সমাজৰ মাজত নিজকে শুচি নকৰা
অনেক লোক আছিল; এই হেতুকে যিহোৱাৰ উদ্দেশ্যে বলি পবিত্ৰ
কৰিবৰ অৰ্থে, অশুচি লোকসকলৰ বাবে নিস্তাৰ-পৰ্ব্বৰ বলি দিয়া
কামত লেবীয়াসকল দায়িত্বত আছিল। ১৮ কিয়নো ইফ্ৰয়িম, মনচি,
ইচাখৰ আৰু জবূলূনৰ পৰা অহা এই বৃহৎ সমাবেশৰ মাজত অনেক
লোকে নিজকে শুচি নকৰাকৈয়ে, লিখিত নিৰ্দেশৰ বিপৰীতে নিস্তাৰ-
পৰ্ব্বৰ ভোজ খাইছিল। কাৰণ হিষ্কিয়াই তেওঁলোকৰ বাবে প্ৰাৰ্থনা কৰি
কৈছিল, “মঙ্গলময় যিহোৱাই সকলোকে ক্ষমা কৰক ১৯ যিকোনোৱে
ধৰ্মধাম শুচি কৰা বিধি অনুসাৰে নিজকে শুচি নকৰাকৈয়েই ঈশ্বৰক
অৰ্থাৎ নিজৰ ওপৰ-পিতৃসকলৰ ঈশ্বৰ যিহোৱাক বিচাৰ কৰিবলৈ নিজ
মন থিৰ কৰিলে।” ২০ সেইবাবে যিহোৱাই হিষ্কিয়াৰ নিবেদন শুনি
লোকসকলক শুচি কৰিলে। ২১ এই হেতুকে যিৰূচালেমত উপস্থিত
হৈ থকা ইস্ৰায়েলৰ সন্তান সকলে সাত দিনলৈকে মহা আনন্দেৰে
খমীৰ নিদিয়া পিঠাৰ পৰ্ব্ব পালন কৰিলে৷ লেবীয়া ও পুৰোহিতসকলে
সদায় উচ্চধ্বনি বাদ্যেৰে যিহোৱাৰ উদ্দেশ্যে গীত গাই যিহোৱাৰ
প্ৰশংসা কৰিলে। ২২ আৰু যিসকল লেবীয়ালোক যিহোৱাৰ সেৱা
কাৰ্যত নিপুণ আছিল, তেওঁলোকক হিষ্কিয়াই উৎসাহজনক কথা
ক'লে। এইদৰে তেওঁলোকে মঙ্গলাৰ্থক বলি উৎসৰ্গ কৰিলে আৰু
তেওঁলোকৰ ওপৰ পিতৃ-সকলৰ ঈশ্বৰ যিহোৱাৰ আগত স্বীকাৰোক্তি
কৰি ধন্যবাদেৰে সাত দিনলৈকে ভোজ খালে। ২৩ পাছত গোটেই
সমাজে এইদৰে পুনৰ সাত দিনলৈকে পালন কৰিবলৈ স্থিৰ কৰিলে
আৰু সেইদৰেই তেওঁলোকে আনন্দেৰে পালন কৰিলে। ২৪ কিয়নো
যিহূদাৰ ৰজা হিষ্কিয়াই সমাজক এক হাজাৰ ভতৰা, সাত হাজাৰ
ভেড়া আৰু ছাগলী উৎসৰ্গ কৰিবৰ অৰ্থে দিছিল; আৰু অধ্যক্ষসকলে

সমাজক এক হাজাৰ ষাঁড়, আৰু দহ হাজাৰ ভেড়া ও ছাগলী দিলে;
আৰু পুৰোহিতসকলৰ মাজৰ অনেকে নিজক পবিত্ৰ কৰিলে। ২৫ আৰু
যিহূদাৰ গোটেই সমাজ, পুৰোহিতসকল আৰু লেবীয়াসকল, ইস্ৰায়েলৰ
পৰা অহা লোকসকলৰ গোটেই সমাজ আৰু ইস্ৰায়েল দেশৰ পৰা
অহা বা যিহূদাত থকা সকলো বিদেশী লোকসকল - সেই সকলোৱে
আনন্দ কৰিলে। ২৬ এইদৰে যিৰূচালেমত বৰ আনন্দ হ'ল; কিয়নো
ইস্ৰায়েলৰ ৰজা দায়ূদৰ পুত্ৰ চলোমনৰ দিনৰে পৰা যিৰূচালেমত
এনেদৰে হোৱা নাছিল। ২৭ পাছত লেবীয়া, পুৰোহিতসকলে উঠি
লোকসকলক আশীৰ্ব্বাদ কৰিলে৷ তেওঁলোকৰ মাত শুনা গ'ল আৰু
তেওঁলোকৰ প্ৰাৰ্থনা স্বৰ্গলৈ অৰ্থাৎ পবিত্ৰ ঠাইত উঠিল, য'ত ঈশ্বৰ
নিবাস কৰে।

**৩১** এইদৰে আটাইবোৰ শেষ হোৱাৰ পাছত, সেই ঠাইত উপস্থিত
থকা সকলো ইস্ৰায়েল লোকে যিহূদাৰ নগৰবোৰলৈ গ'ল আৰু স্তম্ভবোৰ
ভাঙিলে, আচেৰা মুৰ্ত্তিবোৰ কাটিলে আৰু গোটেই যিহূদাত, বিন্যামীনত,
ইফ্ৰয়িমত আৰু মনচিত থকা ওখ ঠাইবোৰ আৰু যজ্ঞবেদীবোৰ নিঃশেষে
ভাঙি পেলালে। তেতিয়া ইস্ৰায়েলৰ সন্তান সকলে নিজ নিজ আধিপত্য
আৰু নগৰলৈ উলটি আহিল। ২ আৰু হিষ্কিয়াই হোমাৰ্থক আৰু মঙ্গলাৰ্থক
বলিদান, পৰিচৰ্যা, স্তুতিগান আৰু যিহোৱাৰ ছাউনিৰ নানা দুৱাৰত
প্ৰশংসা কৰিবলৈ পুৰোহিত লেবীয়াসকলক নিজ নিজ কাৰ্য অনুসাৰে
পাল অনুক্ৰমে নিজ নিজ পালত নিযুক্ত কৰিলে। ৩ আৰু যিহোৱাৰ
ব্যৱস্থাত লিখাৰ দৰে হোমৰ কাৰণে, ৰাতিপুৱা আৰু সন্ধ্যাবেলা হোমৰ
কাৰণে আৰু বিশ্ৰাম-বাৰ, ন-জোন আৰু পৰ্ব্ব-সম্বন্ধীয় হোমৰ কাৰণে,
ৰজাৰ সম্পত্তিৰ পৰা দান কৰিব লগা ভাগ তেওঁ নিৰূপণ কৰিলে। ৪
আনকি পুৰোহিত আৰু লেবীয়াসকল যেন যিহোৱাৰ ব্যৱস্থাত আসক্ত
থাকে, এই কাৰণে তেওঁলোকৰ ভাগ তেওঁলোকক দিবলৈ যিৰূচালেমত
থকা লোকসকলক আজ্ঞা দিলে। ৫ এই আজ্ঞা দেশত ব্যাপ্ত হোৱা
মাত্ৰকে ইস্ৰায়েলৰ সন্তান সকলে শস্য, দ্ৰাক্ষাৰস, তেল আৰু মৌ আদি
ভূমিত উৎপন্ন হোৱা সকলো বস্তুৰ প্ৰথম ভাগ অধিক অধিক পৰিমাণে
আনিলে। ৬ আৰু ইস্ৰায়েলৰ ও যিহূদাৰ যি সন্তান সকলে যিহোদাৰ

নানা নগৰত বাস কৰিছিল, তেওঁলোকেও গৰু আৰু ভেড়া ও ছাগলীৰ
দহ ভাগৰ এভাগ আনি দ'ম কৰি হ'ল, যিবোৰ তেওঁলোকৰ ঈশ্বৰ
যিহোৱালৈ উৎসৰ্গ কৰিবলৈ অনা হৈছিল। ৭ তৃতীয় মাহত তেওঁলোকে
দ'মৰ প্ৰথম জাপ পেলাই সপ্তম মাহত সমাপ্ত কৰিলে। ৮ যেতিয়া
হিষ্কিয়া আৰু অধ্যক্ষসকলে আহি দ'মবোৰ দেখিলে, যিহোৱাক আৰু
তেওঁৰ প্ৰজাসকল ইস্ৰায়েলক ধন্যবাদ দিলে। ৯ তেতিয়া হিষ্কিয়াই
সেই বোৰ দ'মৰ বিষয়ে পুৰোহিত আৰু লেবীয়াসকলক সুধিলে। ১০
তাতে চাদোকৰ বংশৰ অজৰিয়া প্ৰধান পুৰোহিতে তেওঁক এই উত্তৰ
দিলে, "যেতিয়াৰে পৰা লোকসকলে যিহোৱাৰ গৃহলৈ উপহাৰ আনিবলৈ
ধৰিলে, তেতিয়াৰে পৰা আমি হেপাহ পলুৱাই খাইছোঁ আৰু অনেক
বাকি থাকিও গ'ল; কিয়নো যিহোৱাই তেওঁৰ প্ৰজাসকলক আশীৰ্ব্বাদ
কৰিলে৷ এই হেতুকে এই বৰ বৰ দ'মবোৰ বাকী থাকিল।" ১১ তেতিয়া,
হিষ্কিয়াই যিহোৱাৰ গৃহত কেতবোৰ কোঁঠালি যুগুত কৰিবলৈ আজ্ঞা
দিয়াত তেওঁলোকে সেইবোৰ যুগুত কৰিলে। ১২ তেতিয়া তেওঁলোকে
উপহাৰ, দশম ভাগ আৰু পবিত্ৰীকৃত বস্তুবোৰ বিশ্বাসীৰূপে ভিতৰলৈ
আনিলে৷ সেইবোৰৰ ওপৰত প্ৰথম ভঁৰালী লেবীয়া কননীয়া আৰু
দ্বিতীয় ভঁৰালী তেওঁৰ ভায়েক চিমিয়ী আছিল। ১৩ আৰু যিহীয়েল,
অজৰিয়া, নহৎ, অচাহেল, যিৰীমোৎ, যোজাবদ, ইলীয়েল, যিস্মখিয়া,
মহৎ আৰু বনায়া, এওঁলোকক হিষ্কিয়া ৰজাৰ আৰু ঈশ্বৰৰ গৃহৰ অধ্যক্ষ
অজৰিয়া আজ্ঞাতে কননীয়া আৰু তেওঁৰ ভায়েকক চিমিয়ীৰ অধীনত
নিযুক্ত কৰা হ'ল। ১৪ আৰু যিম্নাৰ পুত্ৰ কোৰি নামেৰে যি লেবীয়া মানুহ
পূৱ ফালৰ দুৱাৰৰ দুৱৰী আছিল, যিহোৱাই পোৱা উপহাৰ আৰু মহা
পবিত্ৰ বস্তুবোৰ বিলাবৰ অৰ্থে, ঈশ্বৰৰ উদ্দেশ্যে ইচ্ছামতে মুক্তহস্তে
দিয়া বস্তুবোৰৰ ওপৰত তেওঁ অধ্যক্ষ হ'ল। ১৫ তেওঁৰ অধীনত এদন,
মিন্যামীন, যেচুৱা, চময়ীয়া, অমৰীয়া আৰু চফনিয়া এওঁলোকেই
পুৰোহিতসকলৰ নগৰবোৰত থাকিল৷ তেওঁলোকৰ বিভাগ অনুযায়ী সৰু
কি বৰ, দৰকাৰী কি অদৰকাৰী ভাইসকলক পাল অনুসাৰে উপহাৰৰ
ভাগ বাতি দিবলৈ নিৰূপিত কাৰ্যত নিযুক্ত হ'ল। ১৬ যিসকলে বিভাগীয়
পাল ক্ৰমে নিজ নিজ কৰিবলগীয়া কাৰ্য কৰিবলৈ দিনে দিনে যিহোৱাৰ

গৃহত সোমায় - আনকি বংশাৱলী তালিকাত নাম লিখা তিনি বছৰ আৰু
তাতোকৈ অধিক বয়সীয়া পুৰুষসকলকো এই বস্তুবোৰ বিলোৱা হয়।
১৭ আৰু পুৰোহিতসকলৰ তালিকাৰ বিষয়ে হ'লে সেয়ে তেওঁলোকৰ
পিতৃ বংশৰ অনুসাৰে আছিল আৰু লেবীয়াসকলৰ তালিকাত পাল
ক্ৰমে নিজ নিজ কৰিব লগীয়া কাৰ্য অনুসাৰে বিশ বছৰ আৰু তাতকৈ
অধিক বয়সীয়া পুৰুষসকলৰ নাম লিখা আছিল। ১৮ আৰু তেওঁলোকৰ
আটাই শিশু, তিৰোতা, ল'ৰা, ছোৱালীৰ নাম লিখা তালিকাৰ বিষয়ে
হ'লে, সেয়ে গোটেই সমাজলৈ যায়; কিয়নো তেওঁলোকে পবিত্ৰ
বস্তুলৈ বিশ্বাসীৰূপে ব্যৱহাৰ কৰিছিল। ১৯ আৰু হাৰোণৰ সন্তান যি
পুৰোহিতসকলে নিজ নিজ নগৰৰ চাৰিওফালে থকা পথাৰত বাস
কৰে, তেওঁলোকৰ প্ৰত্যেক নগৰৰ নাম লিখাই দিয়া কেতবোৰ মানুহে
পুৰোহিতসকলৰ আটাই পুৰুষক, আৰু লেবীয়াসকলৰ মাজত তালিকাত
নাম লিখা সকলো মানুহক ভাগ বিলাই দিয়ে। ২০ হিষ্কিয়াই যিহূদাৰ
সকলোফালে এইদৰেই কৰিলে৷ আৰু নিজ যিহোৱাৰ দৃষ্টিত যি উত্তম,
ন্যায় আৰু সত্য, সেই সকলো সম্পন্ন কৰিলে। ২১ আৰু তেওঁ নিজ
ঈশ্বৰক বিচাৰ কৰিবৰ কাৰণে ঈশ্বৰৰ গৃহৰ পৰিচৰ্যা-কৰ্ম, ব্যৱস্থা আৰু
আজ্ঞাৰ বিষয়ে যি যি কাৰ্য কৰিবলৈ আৰম্ভ কৰিলে, সেইবোৰ নিজৰ
সকলো মনেৰে কৰি কৃতকাৰ্য্য হ'ল।

**৩২** এই সকলো কাৰ্যৰ আৰু বিশ্বস্ত আচৰণৰ পাছত, অচূৰৰ ৰজা
চনহেৰীবে আহি যিহূদাৰ দেশত আহিল; তেওঁ সেই ঠাইত ছাউনি
পাতিছিল কিয়নো তেওঁ গড়েৰে আবৃত নগৰবোৰ আক্ৰমণ কৰি
গড় ভাঙি তাক নিজৰ কৰিবলৈ মন কৰিছিল। ২ হিষ্কিয়াই যেতিয়া
চনহেৰীব অহা আৰু যিৰূচালেমৰ বিৰুদ্ধে তেওঁৰ যুদ্ধ কৰিবৰ মন
থকা দেখিলে, ৩ তেওঁ নগৰৰ বাহিৰত থকা ভুমুকবোৰৰ পানী বন্ধ
কৰিবলৈ অধ্যক্ষ আৰু বীৰপুৰুষসকলৰ সৈতে আলোচনা কৰিলে; তাতে
তেওঁলোকে তেওঁক সহায় কৰিলে। ৪ তেতিয়া অনেক মানুহ গোট খাই
সকলো ভুমুক আৰু দেশৰ মাজেদি বৈ যোৱা জুৰিবোৰ বন্ধ কৰি দিলে।
তেওঁলোকে ক'লে, অচূৰৰ ৰজাসকলে আহি কিয় অধিক পৰিমাণে
পানী পাব?" ৫ এনেতে হিষ্কিয়াই সাহেৰে ভগা চিগা গড়বোৰ মেৰামত

কৰি, ওখ ঘৰবোৰ সমান আৰু ওখ কৰিলে; আৰু বাহিৰত আন গড়
সাজি দায়ুদৰ নগৰত থকা মিল্লো সুসজ্জিত কৰিলে আৰু বহু পৰিমাণে
অস্ত্র-শস্ত্র আৰু ঢাল যুগুত কৰিলে। ৬ তেওঁ লোকসকলৰ ওপৰত
সেনাপতিসকল নিযুক্ত কৰিলে৷ নগৰৰ দুৱাৰৰ ওচৰৰ মুকলি ঠাইত
নিজৰ ওচৰত তেওঁলোকক গোটাই উৎসাহ দি তেওঁ এই কথা ক'লে,
৭ "তোমালোকে বলৱন্ত আৰু সাহসিয়াল হোৱা৷ অচুৰৰ ৰজালৈ আৰু
তেওঁ লগৰ সেই সৈন্য সমূহলৈ ভয় নকৰিবা আৰু ব্যাকুল নহ'বা, কাৰণ
তেওঁৰ লগত থকা সকলোতকৈ আমাৰ লগত থকা জন মহান। ৮
তেওঁৰ লগত মাংসময় বাহুহে আছে, কিন্তু আমাক সহায় কৰিবলৈ
আৰু আমাৰ ফলীয়া হৈ যুদ্ধ কৰিবলৈ আমাৰ ঈশ্বৰ যিহোৱা আমাৰ
লগত আছে।" তাতে লোকসকল যিহূদাৰ ৰজা হিষ্কিয়াৰ কথাত
সান্তনা পালে। ৯ তাৰ পাছত অচুৰৰ ৰজা চনহেৰীব যেতিয়া সৈন্য
সামন্তই সৈতে লাখীচৰ ওচৰত আছিল, তেতিয়া যিৰূচালেমলৈ যিহূদাৰ
ৰজা হিষ্কিয়াৰ আৰু যিৰূচালেমত থকা সকলো যিহূদাৰ লোকসকলৰ
ওচৰলৈ তেওঁৰ দাসবোৰৰ দ্বাৰাই তেওঁ এইবোৰ কথা কৈ পঠিয়ালে৷
১০ "অচুৰৰ ৰজা চনহেৰীবে এই কথা কৈছে, 'তোমালোকে কাৰ
ওপৰত নিৰ্ভৰ কৰি যিৰূচালেমক দখল কৰিবলৈ সুৰক্ষিত অৱস্থাত
আছা বুলি ভাবিছা? ১১ আমাৰ ঈশ্বৰ যিহোৱাই আমাক ৰজা অচুৰৰ
হাতৰ পৰা উদ্ধাৰ কৰিব, এই কথা কৈ হিষ্কিয়াই ভোকত আৰু পিয়াহত
মৰিবলৈ দিবৰ বাবে তোমালোকক ভুলোৱা নাইনে?" ১২ সেই
হিষ্কিয়াই জানো তেওঁৰ ওখ ঠাই আৰু যজ্ঞবেদীবোৰ গুচুৱা নাই?
"আৰু তোমালোকে একেটা যজ্ঞবেদীৰ আগত সেৱা কৰিব আৰু তাৰে
ওপৰত ধূপ জলাব লাগিব এই বুলি জানো যিহূদা আৰু যিৰূচালেমত
আজ্ঞা দিয়া নাই?" ১৩ মই আৰু মোৰ ওপৰ-পিতৃসকলে দেশবোৰৰ
আটাই জাতিক কি কৰিলোঁ, সেই বিষয়ে তোমালোকে জানো নাজানা?
সেই নানা দেশীয় জাতিবোৰৰ দেৱতাবোৰে জানো কোনো প্ৰকাৰে
মোৰ হাতৰ পৰা নিজ নিজ দেশ ৰক্ষা কৰিবলৈ সমৰ্থ হৈছিল? ১৪
মোৰ ওপৰ পিতৃসকলে যিবোৰ জাতিক নিঃশেষে সংহাৰ কৰিছিল,
তেওঁলোকৰ সকলো দেৱতাবোৰৰ মাজত কোনে নিজ প্ৰজাসকলক

মোৰ হাতৰ পৰা উদ্ধাৰ কৰিব পাৰিছিল যে, তোমালোকৰ ঈশ্বৰে
মোৰ হাতৰ পৰা তোমালোকক উদ্ধাৰ কৰিব পাৰে? ১৫ এই হেতুকে
হিষ্কিয়াই তোমালোকক নুভুলাওঁক আৰু সেই দৰে তোমালোকৰ প্ৰবৃত্তি
নজন্মাওঁক৷ আৰু তোমালোকে তাত প্ৰত্যয় নকৰিবা, কিয়নো মোৰ
হাতৰ পৰা আৰু মোৰ ওপৰ পিতৃসকলৰ হাতৰ পৰা নিজ প্ৰজাসকলক
উদ্ধাৰ কৰিবলৈ, কোনো জাতি কি ৰাজ্যৰ কোনো দেৱতাৰে সাধ্য
নাছিল৷ তেন্তে তোমালোকৰ ঈশ্বৰে যে মোৰ হাতৰ পৰা তোমালোকক
উদ্ধাৰ কৰিব, ই তাতকৈ কিমান কম পৰিমাণে অসম্ভৱ। ১৬ চনহেৰীবৰ
দাসবোৰে আনকি ঈশ্বৰ যিহোৱাৰ আৰু তেওঁৰ দাস হিষ্কিয়াৰ বিৰুদ্ধে
আৰু অধিক কথা ক'লে। ১৭ আৰু তেওঁ ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাক ঠাট্টা
কৰিবলৈ আৰু তেওঁৰ বিৰুদ্ধে কথা ক'বলৈ এইদৰে পত্ৰও লিখিছিল৷
তেওঁ কৈছিল যে, “নানা দেশীয় জাতি সমূহৰ দেৱতাবোৰে যেনেকৈ
মোৰ হাতৰ পৰা নিজ নিজ প্ৰজাসকলক উদ্ধাৰ কৰিব নোৱাৰিলে
তেনেকৈ হিষ্কিয়াৰ ঈশ্বৰেও তেওঁৰ প্ৰজাসকলক মোৰ হাতৰ পৰা
উদ্ধাৰ কৰিব নোৱাৰিব।” ১৮ তাৰ পাছত তেওঁলোকে নগৰ অধিকাৰ
কৰি লোৱাৰ ছলেৰে, যিৰূচালেমৰ গড়ৰ ওপৰত থকা লোকসকলক
ভয় দেখুৱাবলৈ আৰু বিহ্বল কৰিবলৈ ইব্ৰী ভাষাৰে তেওঁলোকলৈ বুলি
বৰকৈ চিঞঁৰিবলৈ ধৰিলে। ১৯ আৰু পৃথিবীত থকা আন জাতি সমূহৰ
যি দেৱতাবোৰ মানুহৰ হাতেৰে সজা, সেইবোৰৰ বিষয়ে কোৱাৰ দৰে
তেওঁলোকে যিৰূচালেমৰ ঈশ্বৰৰ বিষয়েও কথা ক'লে। ২০ পাছত ৰজা
হিষ্কিয়া আৰু আমোচৰ পুত্ৰ যিচয়া ভাববাদীয়ে সেই বিষয়ে প্ৰাৰ্থনা
কৰিলে আৰু স্বৰ্গৰ ফাললৈ মুখ কৰি কাতৰোক্তি কৰিলে। ২১ তাতে
যিহোৱাই এজন দূত পঠিয়ালে; তেওঁ অচুৰৰ ৰজাৰ চাউনিৰ আটাই
বলৱান বীৰ পুৰুষক, প্ৰধান লোকক আৰু সেনাপতিক সংহাৰ কৰিলে।
তেতিয়া চনহেৰীবে লাজত তলমুখ কৰি নিজ দেশলৈ উলটি গ'ল।
পাছত তেওঁ নিজ দেৱতাৰ মন্দিৰত সোমালত, তেওঁৰ নিজ ঔৰসত
জন্ম পোৱা সকলেই সেই ঠাইতে তৰোৱালেৰে তেওঁক বধ কৰিলে।
২২ সেইদৰে যিহোৱাই হিষ্কিয়াক আৰু যিৰূচালেম নিবাসীসকলক
অচুৰীয়াৰ ৰজা চনহেৰীবৰ হাতৰ পৰা আৰু আন সকলোৰে হাতৰ

পৰা নিস্তাৰ কৰিলে আৰু সকলোতে তেওঁলোকক চলাই নিলে। ২৩
তেতিয়া অনেক লোকে যিৰূচালেমলৈ বুলি যিহোৱাৰ উদ্দেশ্যে উপহাৰ
আৰু যিহূদাৰ ৰজা হিষ্কিয়াৰ ওচৰলৈ বহুমুল্য বস্তু আনিলে যাতে
তেতিয়াৰে পৰা এইদৰে তেওঁ সকলো জাতি সমূহৰ দৃষ্টিত মহান
হ'ব। ২৪ সেই সময়ত হিষ্কিয়া নৰীয়া হৈ মৃত্যুশয্যাত পৰিল৷ তেওঁ
যিহোৱাৰ আগত প্ৰাৰ্থনা কৰিলে, তাতে যিহোৱাই তেওঁক উত্তৰ দিলে
আৰু তেওঁ যেন সুস্থ হয়, তাৰে এটা আচৰিত লক্ষণ দেখুৱালে। ২৫
কিন্তু হিষ্কিয়াই পোৱা উপকাৰ অনুসাৰে যিহোৱাক প্ৰতিদান নিদিলে,
কিয়নো তেওঁৰ মন গৰ্ব্বী হ'ল৷ এই হেতুকে তেওঁৰ, যিহূদাৰ আৰু
যিৰূচালেমৰ ওপৰত যিহোৱাৰ ক্ৰোধ হ'ল। ২৬ অৱশ্যে হিষ্কিয়া
আৰু যিৰূচালেম-নিবাসীসকলে নিজ নিজ মনৰ গৰ্ব বুজি নিজকে নম্ৰ
কৰিলে, সেই বাবে তেওঁলোকলৈ যিহোৱাৰ ক্ৰোধ হিষ্কিয়াৰ ৰাজত্ব
কালত সিদ্ধ কৰা নহ'ল। ২৭ হিষ্কিয়াৰ অধিক ধন আৰু সন্মান আছিল৷
তেওঁ নিজৰ বাবে ৰূপৰ, সোণৰ, বহুমুল্য বাখৰ, সুগন্ধিদ্ৰব্য, ঢালৰ আৰু
সকলোবিধ বহুমুল্য পাত্ৰৰ ভঁৰাল ৰাখিছিল৷ ২৮ আনকি তেওঁৰ শস্যৰ,
দ্ৰাক্ষাৰস আৰু তেল আদি বস্তুৰ ভঁৰাল আৰু নানাবিধ পশুৰ ঘৰ আৰু
মেৰ-ছাগৰ জাকৰ বাবে গঁৰাল যুগুত কৰিলে। ২৯ লগত আৰু নিজৰ
বাবে নানা নগৰ সাজিলে আৰু ষাঁড়-গৰু, মেৰ-ছাগৰ আদিৰ অনেক
জাক লাভ কৰিলে, কিয়নো ঈশ্বৰে তেওঁ অতিশয় অধিক সম্পত্তি
দিছিল। ৩০ এই হিষ্কিয়াই ওপৰৰ ফালে থকা গীহোন ভুমুকৰ মুখ বন্ধ
কৰি পোনে পোনে দায়ুদৰ নগৰৰ পশ্চিম ফালেদি সেই পানী নমাই
আনিছিল৷ হিষ্কিয়াই তেওঁৰ সকলো কাৰ্যত কৃতকাৰ্য হ'ল। ৩১ কিন্তু
দেশত ঘটা অদ্ভুত লক্ষণৰ বিষয়ে সুধিবলৈ বাবিলৰ অধ্যক্ষসকলে
পঠোৱা দূতবোৰৰ কথাত হ'লে, ঈশ্বৰে তেওঁৰ মনৰ সকলো ভাব
জানিবৰ বাবে পৰীক্ষা কৰিবলৈ তেওঁক ত্যাগ কৰিলে। ৩২ হিষ্কিয়াৰ
অৱশিষ্ট বৃত্তান্ত আৰু তেওঁৰ সৎকাৰ্য্যৰ কথা আমোচৰ পুত্ৰ যিচয়া
ভাববাদীৰ দৰ্শন-পত্ৰিকাত, যিহূদাৰ আৰু ইস্ৰায়েলৰ ৰজাসকলৰ
ইতিহাস পুস্তকখনত লিখা আছে। ৩৩ পাছত হিষ্কিয়া তেওঁৰ ওপৰ-
পিতৃসকলৰ লগত নিদ্ৰিত হ'ল আৰু লোকসকলে দায়ুদৰ সন্তান সকলৰ

মৈদামনিৰ সকলোতকৈ ওখ ঠাইত তেওঁক মৈদাম দিলে৷ তেওঁৰ
মৰণৰ কালত সমুদায় যিহূদা আৰু যিৰূচালেম-নিবাসীসকলে তেওঁক
সন্মান কৰিলে৷ তাৰ পাছত তেওঁৰ পুত্ৰ মনচি তেওঁৰ পদত ৰজা হ'ল।
৩৩ মনচিয়ে ৰজা হৈ শাসন ভাৰ লওঁতে তেওঁৰ বয়স আছিল
বাৰ বছৰ; তেওঁ যিৰূচালেমত পঁচপন্ন বছৰ ৰাজত্ব কৰিলে। ২ আৰু
যিহোৱাই ইস্রায়েলৰ সন্তান সকলৰ আগৰ পৰা যি জাতি সমূহক দূৰ
কৰিছিল, তেওঁলোকৰ সকলো ঘিণলগা কাৰ্যৰ দৰে তেওঁ যিহোৱাৰ
সাক্ষাতে কু-আচৰণ কৰিলে। ৩ কিয়নো তেওঁৰ পিতৃ হিষ্কিয়াই ভাঙি
পেলোৱা ওখ ঠাইবোৰ তেওঁ পুনৰাই সাজিলে; আৰু তেওঁ বাল দেৱতাৰ
উদ্দেশ্যে যজ্ঞবেদীবোৰ স্থাপন কৰিলে, আচেৰা মুৰ্ত্তিবোৰ সাজিলে
আৰু আকাশ-মণ্ডলৰ সকলো বাহিনীসকলৰ আগত প্ৰণিপাত কৰিলে
আৰু সেইবোৰক সেৱা পুজা কৰিলে। ৪ আৰু যিহোৱাই যি গৃহৰ বিষয়ে
কৈছিল, বোলে, “মোৰ নাম যিৰূচালেমত চিৰকাললৈকে থাকিব,”
যিহোৱাৰ সেই গৃহত তেওঁ কেইটামান বিদেশী দেৱতাৰ যজ্ঞ বেদী
নিৰ্ম্মাণ কৰিলে। ৫ এইদৰে তেওঁ যিহোৱাৰ গৃহৰ দুয়োখন চোতালত
আকাশ-মণ্ডলৰ সকলো বাহিনীসকলৰ উদ্দেশ্যে যজ্ঞবেদী নিৰ্ম্মাণ
কৰিলে। ৬ আৰু তেওঁ নিজৰ সন্তান সকলক হিন্নোমৰ পুতেকৰ
উপত্যকাত অগ্নিৰ মাজেদি যাত্ৰা কৰালে; গণকৰ কাৰ্য কৰিলে, লক্ষণ
চালে, মায়া কৰ্ম কৰিলে আৰু ভূত পোহা আৰু গুণমন্ত্ৰ জনাসকলক
লগালে৷ যিহোৱাক বেজাৰ দিবৰ অৰ্থে তেওঁৰ সাক্ষাতে তেওঁ বহুত
কু-আচৰণ কৰিলে। ৭ আৰু তেওঁ নিজে কৰা এটা প্ৰতিমা ঈশ্বৰৰ
গৃহত স্থাপন কৰিলে৷ সেই গৃহৰ বিষয়ে ঈশ্বৰে দায়ুদক আৰু তেওঁৰ
পুত্ৰ চলোমনক কৈছিল, বোলে, “ইস্রায়েলৰ সকলো ফৈদৰ মাজৰ
পৰা এই যি গৃহ আৰু যিৰূচালেম মই মনোনীত কৰিলোঁ, ইয়াত মোৰ
নাম চিৰকাললৈকে স্থাপন কৰিম; ৮ আৰু মই তেওঁলোকক দিয়া
সকলো আজ্ঞা, অৰ্থাৎ মোচিৰ হতুৱাই দিয়া গোটেই ব্যৱস্থা আৰু
বিধি ও শাসন-প্ৰণালীবোৰ যদি তেওঁলোকে পালন কৰে আৰু সেই
অনুসাৰে কাৰ্য কৰে, তেনেহলে মই তোমালোকৰ ওপৰ-পিতৃসকলৰ
বাবে নিৰূপণ কৰা দেশৰ পৰা ইস্রায়েলৰ ভৰি আৰু নুগুচাম।” ৯

তথাপি মনচিয়ে যিহূদাক আৰু যিৰূচালেম-নিবাসীসকলক এনেকৈ
ভ্ৰান্ত কৰিলে যে, যিহোৱাই ইস্ৰায়েলৰ সন্তান সকলৰ আগৰ পৰা যি
জাতিবোৰক উচ্ছন্ন কৰিছিল, তেওঁলোকতকৈয়ো অধিক কু-আচৰণ
কৰিলে। ১০ আৰু যিহোৱাই মনচিক আৰু তেওঁৰ লোকসকলক নানা
কথা ক'লে; কিন্তু তেওঁলোকে কোনো মনোযোগ নিদিলে। ১১ এই
কাৰণে যিহোৱাই তেওঁলোকৰ বিৰুদ্ধে অচুৰৰ ৰজাৰ সেনাপতি সকলক
আনিলে; তেওঁলোকে মনচিক ধৰি হাঁকোটা লগাই শিকলিৰে বান্ধি
বাবিললৈ লৈ গ'ল। ১২ তেতিয়া সঙ্কতত পৰি তেওঁ নিজ ঈশ্বৰ
যিহোৱাৰ আগত মিনতি কৰিলে আৰু নিজ ওপৰ পিতৃসকলৰ ঈশ্বৰৰ
আগত নিজকে অতিশয় নম্ৰ কৰিলে। ১৩ তেওঁ ঈশ্বৰৰ আগত প্ৰাৰ্থনা
কৰিলে আৰু বিনয় কৰিবলৈ ধৰিলে; ঈশ্বৰে তেওঁৰ বিনয় শুনি তেওঁৰ
প্ৰাৰ্থনা গ্ৰহণ কৰিলে আৰু তেওঁক পুনৰাই যিৰূচালেমত তেওঁৰ ৰাজ
শাসনলৈ ঘূৰাই আনিলে৷ তেতিয়া যিহোৱাইহে যে ঈশ্বৰ তাক মনচিয়ে
জানিলে। ১৪ তাৰ পাছত গীহোনৰ পশ্চিমে উপত্যকাত মৎস্য দুৱাৰৰ
সোমোৱা ঠাইলৈকে দায়ুদৰ নগৰৰ এক বাহিৰ গড় সাজিলে৷ আৰু
ওফেলৰ চাৰিওফালৰ গড় মেৰামত কৰি তাক অতি ওখ কৰিলে৷
গড়েৰে আবৃত যিহূদাৰ নগৰবোৰত সেনাপতি সকলক ৰাখিলে। ১৫
আৰু তেওঁ যিহোৱাৰ গৃহৰ পৰা বিজাতীয় দেৱতাবোৰ, প্ৰতিমাটো
আৰু যিহোৱাৰ গৃহৰ পৰ্বতত আৰু যিৰূচালেমত নিজে নিৰ্ম্মাণ কৰা
যজ্ঞবেদিবোৰ গুচাই নগৰৰ বাহিৰলৈ আনি দুৰৈত পেলাই দিলে।
১৬ তেওঁ যিহোৱাৰ বেদী মেৰামত কৰি তাৰ ওপৰত মঙ্গলাৰ্থক
বলি আৰু ধন্যবাদাৰ্থক বলি উৎসৰ্গ কৰিলে আৰু ইস্ৰায়েলৰ ঈশ্বৰ
যিহোৱাৰ আৰাধনা কৰিবলৈ যিহূদাক আজ্ঞা দিলে। ১৭ তথাপি
তেতিয়াও লোকসকলে ওখ ঠাইবোৰত বলিদান কৰিছিল যদিও কেৱল
তেওঁলোকৰ ঈশ্বৰ যিহোৱাৰ উদ্দেশ্যেহে কৰিছিল। ১৮ চোৱা, মনচিৰ
অৱশিষ্ট বৃত্তান্ত, নিজ ঈশ্বৰৰ আগত তেওঁ কৰা প্ৰাৰ্থনা আৰু ইস্ৰায়েলৰ
ঈশ্বৰ যিহোৱাৰ নামেৰে তেওঁৰ আগত কোৱা দৰ্শকসকলৰ বাক্য,
ইস্ৰায়েলৰ ৰজাসকলৰ ইতিহাস-পুস্তকখনত লিখা আছে। ১৯ আৰু
তেওঁ কৰা প্ৰাৰ্থনা, সেই প্ৰাৰ্থনা গ্ৰহণ হোৱা আৰু তেওঁ কৰা সকলো

পাপ আৰু সত্যলঙ্ঘন বিষয় আৰু নম্ৰ হোৱাৰ আগেয়ে তেওঁৰ যি যি
ঠাইত ওখ ঠাই সাজিছিল আৰু আচেৰা মুৰ্ত্তি ও কটা প্ৰতিমা স্থাপন
কৰিছিল, সেই সকলোৰে বিৱৰণ হোজেয়াৰ পুস্তকখনত লিখা আছে।
২০ পাছত মনচি তেওঁ ওপৰ পিতৃসকলৰ লগত নিদ্ৰিত হ'ল আৰু
লোকসকলে তেওঁৰ ঘৰৰ ভিতৰতে তেওঁক মৈদাম দিলে। তেওঁৰ পুত্ৰ
আমোন তেওঁৰ পদত ৰজা হ'ল। ২১ আমোনে ৰজা হৈ শাসন ভাৰ
লওঁতে তেওঁৰ বয়স বাইশ বছৰ আছিল। তেওঁ যিৰূচালেমত দুবছৰ
কাল ৰাজত্ব কৰিলে। ২২ তেওঁৰ বাপেক মনচিয়ে কৰাৰ নিচিনাকৈ
তেওঁ যিহোৱাৰ সাক্ষাতে কু-আচৰণ কৰিলে। তেওঁৰ পিতৃ মনচিয়ে কৰা
আটাই কটা-প্ৰতিমাৰ উদ্দেশ্যে তেওঁ বলিদান কৰিলে আৰু সেইবোৰক
সেৱা-পুজা কৰিলে। ২৩ আৰু তেওঁৰ পিতৃ মনচিয়ে যেনেকৈ নিজকে
নম্ৰ কৰিছিল, তেনেকৈ তেওঁ যিহোৱাৰ সাক্ষাতে নিজকে নম্ৰ নকৰিলে।
কিন্তু এই আমোনে দোষৰ ওপৰি দোষ কৰিলে। ২৪ পাছত তেওঁৰ
দাসবোৰে তেওঁৰ বিৰুদ্ধে চক্ৰান্ত কৰি তেওঁৰ গৃহতে তেওঁক বধ
কৰিলে। ২৫ কিন্তু দেশৰ লোকসকলে আমোন ৰজাৰ বিৰুদ্ধে চক্ৰান্ত
কৰা সকলোকে বধ কৰিলে; আৰু দেশৰ লোকসকলে তেওঁৰ পুত্ৰ
যোচিয়াক তেওঁৰ পদত ৰজা পাতিলে।

**৩৪** যোচিয়াই ৰজা হৈ শাসন ভাৰ লওঁতে তেওঁৰ বয়স আছিল আঠ
বছৰ; তেওঁ যিৰূচালেমত একত্ৰিশ বছৰ কাল ৰাজত্ব কৰিছিল। ২
যিহোৱাৰ দৃষ্টিত যি ন্যায়, তেওঁ তাকে কৰিলে; তেওঁ নিজ ওপৰ পিতৃ
দায়ুদৰ পথত চলিলে, তাৰ পৰা সোঁ কি বাওঁফালে নুঘুৰিলে। ৩ কিয়নো
তেওঁৰ ৰাজত্বৰ অষ্টম বছৰত তেওঁ অলপ বয়সীয়া হৈয়ো, তেওঁৰ
ওপৰ পিতৃ দায়ুদৰ ঈশ্বৰক বিচাৰিবলৈ ধৰিলে। দ্বাদশ বছৰত, ওখ
ঠাইবোৰ, আচেৰা মুৰ্ত্তিবোৰ আৰু কটা আৰু সাঁচত ঢলা প্ৰতিমাবোৰ
গুচাই যিহূদা আৰু যিৰূচালেম শুচি কৰিবলৈ ধৰিলে। ৪ আৰু তেওঁৰ
সাক্ষাতে লোকসকলে বাল দেৱতাৰ যজ্ঞবেদিবোৰ ভাঙি পেলালে;
সেইবোৰতকৈ ওখ ঠাইত স্থাপন কৰা সূৰ্য্য-প্ৰতিমাবোৰকো তেওঁ কাটি
পেলালে; আচেৰা মুৰ্ত্তিবোৰ আৰু কটা আৰু সাঁচত ঢলা প্ৰতিমাবোৰ
ভাঙি গুড়ি কৰি, সেইবোৰৰ উদ্দেশ্যে বলিদান কৰাসকলৰ মৈদামৰ

ওপৰত সেই ধুলিবোৰ ছটিয়াই পেলালে। ৫ আৰু তেওঁ পুৰোহিতসকলৰ
হাড়বোৰ তেওঁলোকৰ যজ্ঞবেদিৰ ওপৰত দগ্ধ কৰিলে আৰু যিহূদা
আৰু যিৰূচালেম শুচি কৰিলে। ৬ আৰু তেওঁ মনচিৰ, ইফ্ৰয়িমৰ আৰু
চিমিয়োনৰ নগৰে নগৰে নপ্তালীলৈকে সকলো ফালে তেওঁলোকৰ
উচ্ছন্ন হোৱা ঠাইত সেইদৰে কৰিলে। ৭ তেওঁ যজ্ঞবেদিবোৰ ভাঙিলে,
আচেৰা মুৰ্ত্তিবোৰ আৰু কটা-প্ৰতিমাবোৰ গুড়ি কৰিলে আৰু ইস্ৰায়েল
দেশৰ সকলো ঠাইৰ আটাইবোৰ সূৰ্য্য-প্ৰতিমাবোৰ কাটি পেলালে৷
তাৰ পাছত যিৰূচালেমলৈ উলটি আহিল। ৮ তেওঁৰ ৰাজত্বৰ অষ্টাদশ
বছৰত, দেশ আৰু গৃহ শুচি কৰাৰ পাছত, তেওঁ নিজ ঈশ্বৰ যিহোৱাৰ
গৃহ মেৰামত কৰিবৰ বাবে অচলিয়াৰ পুত্ৰ চাফনক, নগৰৰ অধ্যক্ষ
মাচেয়াক আৰু যোৱাহজৰ পুত্ৰ যোৱাহ ইতিহাস লিখকক পঠিয়ালে। ৯
এই হেতুকে তেওঁলোকে প্ৰধান পুৰোহিত হিল্কিয়াৰ ওচৰলৈ গ'ল আৰু
ঈশ্বৰৰ গৃহলৈ অনা ৰূপ অৰ্থাৎ লেবীয়া দুৱৰীসকলে মনচি ইফ্ৰয়িম
আদি ইস্ৰায়েলৰ অৱশিষ্ট লোকৰ পৰা, গোটেই যিহূদা আৰু বিন্যামীনৰ
পৰা আৰু যিৰূচালেম নিবাসীসকলৰ পৰাও গোটোৱা সকলো ৰূপ
তেওঁলোকে তেওঁলোকক শোধাই দিলে। ১০ তেওঁলোকে যিহোৱাৰ
গৃহত নিযুক্ত থকা কাৰ্য চলাওঁতা সকলৰ হাতত তাক দিলে; পাছত কাৰ্য
চলাওঁতা সকলে অৰ্থাৎ যিহোৱাৰ গৃহত কাম কৰাওঁতা লোকসকলে
সেই গৃহ মেৰামত কৰিবৰ আৰু সুসজ্জিত কৰিবৰ বাবে তাক দিলে,
১১ অৰ্থাৎ মিস্ত্ৰি আদি ঘৰ সাজোঁতাসকলক কটা-শিল আৰু বৰগাৰ কাঠ
কিনিবলৈ আৰু যিহূদাৰ ৰজাসকলে নষ্ট কৰা ঘৰ বোৰৰ বাবে চতি
বনাবলৈ সেই ধন দিলে। ১২ আৰু সেই লোকসকলে বিশ্বাসীৰূপে কাৰ্য
কৰিলে৷ আৰু মৰাৰীৰ সন্তান সকলৰ মাজৰ যহৎ আৰু ওবদিয়া এই
দুজন লেবীয়া মানুহ তেওঁলোকৰ অধ্যক্ষ আছিল; আৰু কহাতৰ সন্তান
সকলৰ মাজৰ জখৰিয়া, মচুল্লম আৰু বাদ্য বজোৱাত নিপুণ আন আন
লেবীয়াসকল কাম চলাবৰ বাবে নিযুক্ত হৈছিল। ১৩ তেওঁলোক ভাৰ
বওঁতাসকলৰ অধ্যক্ষ আছিল আৰু সকলো বিধৰ কাম কৰোঁতা সকলক
চলাইছিল; আৰু লেবীয়া সকলৰ মাজত কোনো কোনো লিখক, কোনো
কোনো শাসনকৰ্ত্তা আৰু কোনো কোনো দুৱৰী আছিল। ১৪ যিহোৱাৰ

গৃহলৈ অনা ৰূপ তেওঁলোকে উলিওৱা সময়ত, হিল্কিয়া পুৰোহিতে
মোচিয়ে দিয়া যিহোৱাৰ ব্যৱস্থা পুস্তকখন পালে। ১৫ আৰু হিল্কিয়াই
লিখক চাফনক উত্তৰ দি ক'লে, "মই যিহোৱাৰ গৃহত ব্যৱস্থা পুস্তকখন
পালোঁ।" পাছত হিল্কিয়াই সেই ব্যৱস্থা পুস্তকখন চাফনক দিলে। ১৬
চাফনে আকৌ সেই ব্যৱস্থা পুস্তকখন ৰজাৰ গুৰিলৈ লৈ গ'ল আৰু
ৰজাৰ আগত বাতৰি দি ক'লে, "আপোনাৰ এই দাসবোৰক আদেশ
কৰা সকলো কাৰ্য তেওঁলোকে কৰি আছে৷ ১৭ আৰু আপোনাৰ এই
দাসবোৰে যিহোৱাৰ গৃহত পোৱা সকলো ধন চন্দুকৰ পৰা ঢালি,
কাৰ্য্যাধ্যক্ষ আৰু কাম কৰোঁতা সকলৰ হাতত দিলে।" ১৮ পুনৰ লিখক
চাফনে ৰজাক জনালে, বোলে, "পুৰোহিত হিল্কিয়াই মোক এখন পুস্তক
দিলে।" তেতিয়া চাফনে ৰজাৰ আগত তাক পাঠ কৰিবলৈ ধৰিলে।
১৯ তেতিয়া ৰজাই ব্যৱস্থাৰ বাক্যবোৰ শুনা মাত্ৰকে নিজৰ কাপোৰ
ফালিবলৈ ধৰিলে। ২০ আৰু ৰজাই হিল্কিয়াক, চাফনৰ পুত্ৰ অহীকামক,
মীখাৰ পুত্ৰ আব্দোনক, লিখক চাফনক আৰু ৰজাৰ দাস অচায়াক এই
আজ্ঞা কৰিলে বোলে, ২১ "তোমালোকে গৈ মোৰ আৰু ইস্রায়েল আৰু
যিহূদাৰ মাজত অৱশিষ্ট থকা লোকসকলৰ বাবে পোৱা এই পুস্তকখনৰ
বাক্যৰ বিষয়ে যিহোৱাৰ মোৰ বাবে থকা তেওঁৰ কি ইচ্ছা সেই বিষয়ে
সোধাগৈ; কিয়নো আমাৰ ওপৰত যিহোৱাই বৰষোৱা ক্ৰোধ অতিশয়
ডাঙৰ; কাৰণ ওপৰ-পিতৃসকলে এই পুস্তকত লিখা কোনো বাক্য
অনুসাৰে কাম কৰিবৰ অৰ্থে যিহোৱাৰ বাক্য পালন নকৰিলে।" ২২
পাছত হিল্কিয়া আৰু ৰজাই আদেশ কৰা সেই লোকসকল হস্রাৰ নাতি
তকহঁতৰ পুত্ৰ বস্ত্ৰ-ভঁৰালী চল্লুমৰ ভাববাদীনী হুল্দাৰ ওচৰলৈ গ'ল;
সেই সময়ত তেওঁ যিৰূচালেমৰ দ্বিতীয় ভাগত নিবাস কৰিছিল; আৰু
তেওঁলোকে সেই বিষয়ে তেওঁক ক'লে। ২৩ তাতে তেওঁ তেওঁলোকক
ক'লে, "ইস্রায়েলৰ ঈশ্বৰ যিহোৱাই এই কথা কৈছে, 'মোৰ ওচৰলৈ
তোমালোকক পঠোৱা জনক কোৱাগৈ, ২৪ "যিহোৱাই এই কথা কৈছে,
'চোৱা, মই এই ঠাই আৰু ইয়াৰ নিবাসীসকলৰ ওপৰত অমঙ্গল ঘটাম,
অৰ্থাৎ যিহূদাৰ ৰজাৰ আগত যি পুস্তক পঢ়া হ'ল, তাৰ মাজত লিখা
সকলো শাও লৈ আনিম; ২৫ কাৰণ নিজ নিজ হাতেৰে কৰা সকলো

কৰ্মৰ দ্বাৰাই মোক বেজাৰ দিবলৈ, তেওঁলোকে মোক ত্যাগ কৰি
ইতৰ দেৱতাবোৰৰ উদ্দেশ্যে ধূপ জ্বলালে, এতেকে এই ঠাইৰ ওপৰত
মোৰ ক্ৰোধাগ্নি বৰষোৱ যাব, নুমুৱা নাযাব।'" ২৬ কিন্তু যিহোৱাৰ
ইচ্ছা সুধিবলৈ তোমালোকক পঠোৱা যিহূদাৰ ৰজাৰ আগত এই
কথা ক'বা, "ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাই এই কথা কৈছে, 'তুমি যি
যি বাক্য শুনিলা সেইবোৰৰ বিষয়ে মোৰ কথা এই, ২৭ এই ঠাই
আৰু ইয়াৰ নিবাসীসকলৰ বিৰুদ্ধে তেওঁৰ যি বাক্য, তাক তুমি শুনা
মাত্ৰকে ঈশ্বৰৰ আগত তোমাৰ মন কোমল কৰিলা, ঈশ্বৰৰ সাক্ষাতে
নিজকে নম্ৰ কৰিলা আৰু নিজ কাপোৰ ফালি মোৰ আগত ক্ৰন্দন
কৰিলা আৰু মইয়ো তোমাৰ কথা শুনিলো' - এয়াই হৈছে যিহোৱাৰ
ঘোষণা। ২৮ 'চোৱা, মই তোমাৰ ওপৰ-পিতৃসকলৰ লগত তোমাক
নিম আৰু তোমাক শান্তিৰে তোমাক মৈদামলৈ নিয়া হ'ব; আৰু মই
এই ঠাই আৰু ইয়াৰ নিবাসীসকলৰ ওপৰত যিবোৰ অমঙ্গল ঘটাম,
সেইবোৰৰ একোকে তোমাৰ চকুৰে নেদেখিব'।" পাছত তেওঁলোকে
উলটি আহি ৰজাক এই বাতৰি দিলে। ২৯ তাৰ পাছত ৰজাই মানুহ
পঠিয়াই যিহূদা আৰু যিৰূচালেমৰ বৃদ্ধ লোকসকলক গোট খোৱালে।
৩০ তাতে ৰজাই যিহূদাৰ আটাইলোক, যিৰূচালেম নিবাসীসকলক,
পুৰোহিতসকল, লেবীয়াসকল আৰু সৰু-বৰ সমুদায় প্ৰজাক লগত
লৈ যিহোৱাৰ গৃহলৈ উঠি গ'ল; আৰু যিহোৱাৰ পৰা পোৱা নিয়ম-
পুস্তকখনৰ সকলো বাক্য ৰজাই লোকসকলক পঢ়াই শুনুৱালে। ৩১
পাছত ৰজাই নিজৰ ঠাইত থিয় হৈ যিহোৱাৰ পাছত চলিবলৈ আৰু
সকলো মনেৰে আৰু সকলো প্ৰাণেৰে, তেওঁৰ আজ্ঞা, সাক্ষ্য বাক্য
আৰু বিধিবোৰ পালন কৰিবলৈ আৰু সেই পুস্তকখনত লিখা নিয়মটিৰ
বাক্য অনুসাৰে কাম কৰিবলৈ যিহোৱাৰ সাক্ষাতে এটি নিয়ম কৰিলে।
৩২ আৰু যিৰূচালেম আৰু বিন্যামীনৰ যিমান লোক উপস্থিত আছিল,
তেওঁ সেই সকলোকে নিয়মটি পালন কৰিবলৈ প্ৰতিজ্ঞা কৰালে;
তাতে যিৰূচালেমৰ নিবাসীসকলে তেওঁলোকৰ ওপৰ-পিতৃসকলৰ
ঈশ্বৰৰ নিয়মটিৰ অনুসাৰে কাৰ্য কৰিলে। ৩৩ যোচিয়াই ইস্ৰায়েলৰ
সন্তান সকলে অধিকাৰ কৰা সকলো দেশৰ পৰা আটাই ঘিণ লগা

বস্তুবোৰ দুৰ কৰিলে আৰু ইস্ৰায়েলৰ মাজত থকা সকলো লোকক
ঈশ্বৰ যিহোৱাৰ আৰাধনা কৰালে। তেওঁলোকে তেওঁৰ জীৱনৰ সকলো
কালত তেওঁলোকৰ ওপৰ-পিতৃসকলৰ ঈশ্বৰ যিহোৱাৰ পাছত চলিবলৈ
নেৰিলে।

**৩৫** পাছত যোচিয়াই যিৰূচালেমত যিহোৱাৰ উদ্দেশ্যে নিস্তাৰ-পৰ্ব্ব
পালন কৰিলে; আৰু লোকসকলে প্ৰথম মাহৰ চতুৰ্দ্দশ দিনত নিস্তাৰ-
পৰ্ব্বৰ ভেড়া বলি দিলে। ২ তেওঁ পুৰোহিত সকলক তেওঁলোকৰ নিজ
নিজ কৰিব লগীয়া কামত লগালে আৰু যিহোৱাৰ গৃহৰ সেৱকীয়া
কাম কৰিবলৈ তেওঁলোকক আস্বাস দিলে। ৩ আৰু যি লেবীয়াসকল
গোটেই ইস্ৰায়েলৰ শিক্ষক আৰু যিহোৱাৰ উদ্দেশ্যে পবিত্ৰ লোক
আছিল, তেওঁলোকক তেওঁ ক'লে, "ইস্ৰায়েলৰ ৰজা দায়ূদৰ পুত্ৰ
চলোমনে নিৰ্ম্মাণ কৰা গৃহত তোমালোকে পবিত্ৰ চন্দুকটো ৰাখা৷
তোমালোকে নিজৰ কান্ধত আৰু ইয়াক চাৰিওঁফালে ভাৰ বৈ থাকিব
নালাগিব৷ এতিয়া তোমালোকে তোমালোকৰ ঈশ্বৰ যিহোৱাৰ স্তুতি
আৰাধনা কৰা আৰু তেওঁৰ প্ৰজা ইস্ৰায়েল লোকসকলৰ সেৱা কৰা। ৪
আৰু তোমালোকে নিজ নিজ পিতৃ-বংশ অনুসাৰে, ইস্ৰায়েলৰ ৰজা
দায়ূদে লিখা আৰু তেওঁৰ পুত্ৰ চলোমনে লিখাৰ দৰে পালক্ৰমে নিজক
সংগঠিত কৰা। ৫ আৰু তোমালোকৰ ভাই প্ৰজাসকলৰ পিতৃ-বংশৰ
অংশ অনুসাৰে তোমালোক পবিত্ৰ স্থানত থিয় হোৱা; লোকসকলৰ
প্ৰত্যেক অংশৰ বাবে লেবীয়াসকলৰ পিতৃ-বংশৰ এক এক অংশ
হ'ব। ৬ তোমালোকে নিস্তাৰ-পৰ্ব্বৰ ভেড়া বলি দিয়া আৰু নিজক শুচি
কৰা৷ মোচিৰ দ্বাৰাই কোৱা যিহোৱাৰ বাক্য অনুসাৰে কাৰ্য কৰিবলৈ
নিজৰ ভাইসকলৰ বাবে আয়োজন কৰা।" ৭ যোচিয়াই উপস্থিত হোৱা
প্ৰজাসকলৰ সকলোকে কেৱল নিস্তাৰ-পৰ্ব্বৰ বলিদানৰ অৰ্থে জাকৰ
পৰা লেখৰ ত্ৰিশ হাজাৰ ভেড়া আৰু ছাগলী পোৱালি দিলে৷ আৰু তাৰ
বাহিৰে তিনি হাজাৰ ভতৰা দিলে; এই সকলোকে ৰজাৰ সম্পত্তিৰ
পৰা দিয়া হ'ল। ৮ আৰু তেওঁৰ প্ৰধান লোকসকলে ইচ্ছা মনেৰে
লোকসকলক, পুৰোহিতসকলক আৰু লেবীয়াসকলক উৎসৰ্গ কৰিবৰ
অৰ্থে পশু দান কৰিলে, বিশেষকৈ হিল্কিয়া, জখৰিয়া আৰু যিহীয়েল,

ঈশ্বৰৰ গৃহৰ এই অধ্যক্ষ কেইজনে পুৰোহিতসকলক নিস্তাৰ-পৰ্ব্বৰ
বলিদানৰ অৰ্থে দুই হাজাৰ ছশ ভেড়া ও ছাগলী পোৱালি আৰু তিনিশ
ষাঁড় দিলে। ৯ আৰু লেবীয়াসকলৰ অধ্যক্ষ কননিয়া আৰু তেওঁৰ
দুজন ভায়েক চময়িয়া আৰু নথনেল আৰু হচবিয়া, যিয়ীয়েল আৰু
যোজাবদ, তেওঁলোকে লেবীয়াসকলক নিস্তাৰ-পৰ্ব্বৰ বলিদানৰ অৰ্থে
পাঁচ হাজাৰ ভেড়া ও ছাগলী পোৱালি আৰু পাঁচশ ভতৰা দিলে। ১০
এইদৰে সেৱকীয়া কাৰ্যৰ ঠিক ঠাক হোৱাত, ৰজাৰ আজ্ঞা অনুসাৰে
পুৰোহিতসকল নিজ নিজ ঠাইত আৰু লেবীয়াসকল নিজ নিজ পাল
অনুসাৰে থিয় হ'ল। ১১ পাছত নিস্তাৰ-পৰ্ব্বৰ আটাই বলি দিয়া হ'ল,
পুৰোহিতসকলে তেওঁলোকৰ হাতৰ পৰা তেজ লৈ ছটিয়ালে আৰু
লেবীয়াসকলে পশুবোৰৰ ছাল বখলিয়ালে। ১২ মোচিৰ পুস্তকত
লিখাৰ দৰে, যিহোৱাৰ উদ্দেশ্যে উৎসৰ্গ কৰিবৰ অৰ্থে তেওঁলোকে
প্ৰজাসকলৰ পিতৃ-বংশবোৰৰ অংশ অনুসাৰে সকলোকে দিবৰ কাৰণে,
দগ্ধ কৰিবলগীয়া ভাগ এৰুৱাই ল'লে আৰু ষাঁড়বোৰকো সেই একে
দৰেই কৰিলে। ১৩ পাছত তেওঁলোকে বিধিমতে নিস্তাৰ-পৰ্ব্বৰ বলি
খৰিকাত লগাই জুইত দিলে৷ কিন্তু পবিত্ৰীকৃত হিচাপে আন পশুৰ
মাংস কেৰাহীত, টৌত আৰু জকাত সিজালে আৰু সকলো লোকক
লৰালৰিকৈ বাঁটি দিলে। ১৪ পাছত তেওঁলোকে তেওঁলোকৰ বাবে আৰু
পুৰোহিতসকলৰ বাবে আয়োজন কৰিলে; কিয়নো হাৰোণৰ সন্তান
পুৰোহিতসকলে হোম-বলিৰ তেজাল অংশ পোৰোঁতে ৰাতিলৈকে লাগি
থাকিব লগীয়া হৈছিল৷ এইদৰে লেবীয়াসকলে নিজৰ আৰু হাৰোণৰ
সন্তান পুৰোহিতসকলৰ বাবে আয়োজন কৰিলে। ১৫ আৰু দায়ুদ,
আচফ, হেমন আৰু ৰজাৰ দৰ্শক যিদূথূনে আজ্ঞা কৰাৰ দৰে আচফৰ
সন্তান গায়ক সকল নিজ নিজ ঠাইত আছিল আৰু দুৱৰীসকল প্ৰত্যেক
দুৱাৰত আছিল; নিজ নিজ কাম এৰি যাবলৈ তেওঁলোকৰ প্ৰয়োজন
নহ'ল, কিয়নো তেওঁলোকৰ লেবীয়া ভাইসকলে তেওঁলোকৰ বাবে
আয়োজন কৰিছিল। ১৬ এইদৰে ৰজা যোচিয়াৰ আজ্ঞা অনুসাৰে
নিস্তাৰ-পৰ্ব্ব পালন কৰিবলৈ আৰু যিহোৱাৰ যজ্ঞবেদীৰ ওপৰত হোম
ৰাখিবলৈ যিহোৱাৰ সকলো সেৱকীয়া কাম সেই দিনাই পৰিপাটিকৈ

কৰা হ'ল। ১৭ এই কাৰণে উপস্থিত থকা ইস্রায়েলৰ সন্তান সকলে
সেই সময়ত নিস্তাৰ-পৰ্ব্ব কৰিলে আৰু তাৰ পাছত সাত দিনলৈকে
খমীৰ নিদিয়া পিঠাৰ উৎসৱ পালন কৰিলে। ১৮ চমূৱেল ভাববাদীৰ
দিনৰে পৰা ইস্রায়েলত এনে ধৰণৰ নিস্তাৰ-পৰ্ব্ব কেতিয়াও পালন
কৰা নাছিল; আনকি যোচিয়া, পুৰোহিসকল, লেবীয়াসকল, উপস্থিত
হোৱা গোটেই যিহূদা আৰু ইস্রায়েলৰ লোকসকল আৰু যিৰূচালেম-
নিবাসীসকলে যেনেকৈ নিস্তাৰ-পৰ্ব্ব পালন কৰিছিল, ইস্রায়েলৰ কোনো
ৰজাই তেনেকৈ পালন কৰা নাছিল। ১৯ যোচিয়াৰ ৰাজত্বৰ অষ্টাদশ
বছৰলৈকে এই নিস্তাৰ-পৰ্ব্ব পালন কৰা হ'ল। ২০ এই সকলোৰে
পাছত যোচিয়াই মন্দিৰৰ শৃংখলা আনি ঠিক কৰাত, মিচৰৰ ৰজা
নখোৱে ফৰাৎ নদীৰ ওচৰত থকা কৰ্কমীচত যুদ্ধ কৰিবলৈ আহিল,
আৰু যোচিয়াই তেওঁৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ যাত্ৰা কৰিলে। ২১ কিন্তু
নখোৱে তেওঁৰ দূত পঠিয়াই কৈ পঠিয়ালে, বোলে, “হে যিহূদাৰ ৰজা,
তোমাৰ লগত মোৰ কি সম্পৰ্ক আছে? মই আজি তোমাৰ বিৰুদ্ধে
অহা নাই; কিন্তু যি বংশৰ লগত মোৰ ৰণ হ'ব, তেওঁলোকৰ বিৰুদ্ধে
আহিছোঁ৷ আৰু ঈশ্বৰে মোক ইয়াক বেগাই কৰিবলৈ আজ্ঞা দিলে, মোৰ
লগত থকা ঈশ্বৰে তোমাক বিনষ্ট নকৰিবৰ বাবে, তেওঁলৈ হস্তক্ষেপ
কৰাৰ পৰা তুমি ক্ষান্ত হোৱা।” ২২ তথাপি যোচিয়াই তেওঁৰ পৰা
বিমুখ হ'বলৈ অমান্তি হ'ল৷ তেওঁৰ লগত যুদ্ধ কৰিবলৈ তেওঁ ছদ্মবেশ
ধৰিলে৷ ঈশ্বৰৰ মুখৰ পৰা ওলোৱা যি বাক্য নখোৱে কৈছিল, সেই কথা
তেওঁ নুশুনিলে; সেই কাৰণে তেওঁ মগিদ্দোৰ উপত্যকাত যুদ্ধ কৰিবলৈ
গ'ল। ২৩ তাতে ধনুৰ্দ্ধৰসকলে ৰজা যোচিয়ালৈ কাঁড় মাৰি আঘাত
কৰিলে, তেতিয়া ৰজাই তেওঁৰ দাসবোৰক ক'লে, “মোক আঁতৰাই
নিয়া; কিয়নো মই বেয়াকৈ আঘতপ্ৰাপ্ত হলোঁ।” ২৪ তেতিয়া তেওঁৰ
দাসবোৰে ৰথৰ পৰা তেওঁক উলিয়াই তেওঁৰ ওপৰেঞ্চি ৰথ এটাত
তুলি দিলে৷ তেওঁলোকে তেওঁক যিৰূচালেমলৈ আনিলে, য'ত তেওঁৰ
মৃত্যু হ'ল৷ তেওঁৰ ওপৰ-পিতৃসকলৰ মৈদামবোৰত তেওঁক মৈদাম
দিয়া হ'ল। পাছত সমুদায় যিহূদা আৰু যিৰূচালেমে যোচিয়াৰ কাৰণে
শোক কৰিলে। ২৫ আৰু যিৰিমিয়াই যোচিয়াৰ বাবে বিলাপ কৰিলে;

তাতে সকলো গায়ক আৰু গায়িকাই নিজ নিজ বিলাপত যোচিয়াৰ
বিষয়ে গান কৰে, আজিলৈকে সেই গান চলি আছে৷ তেওঁলোকে তাকে
ইস্রায়েলত দৈনন্দিন পালন কৰিবলগীয়া এক নিয়ম কৰিলে; আৰু
চোৱা, সেয়ে বিলাপ-পুস্তকখনত লিখা আছে। ২৬ যোচিয়াৰ অৱশিষ্ট
বৃত্তান্ত, যিহোৱাৰ ব্যৱস্থাত লিখামতে কৰা তেওঁৰ উত্তম কাৰ্যবোৰ ২৭
আৰু তেওঁৰ আদ্যোপান্ত বিৱৰণ ইস্ৰায়েলৰ আৰু যিহূদাৰ ৰজাসকলৰ
ইতিহাস-পুস্তকখনত লিখা আছে।

**৩৬** পাছত দেশৰ লোকসকলে যোচিয়াৰ পুত্ৰ যিহোৱাহজক লৈ
যিৰূচালেমত তেওঁৰ পিতৃৰ পদত ৰজা পাতিলে। ২ যোৱাহজে তেইশ
বছৰ বয়সত ৰজা হৈ, যিৰূচালেমত তিনি মাহ ৰাজত্ব কৰিলে। ৩ মিচৰৰ
ৰজাই যিৰূচালেমত তেওঁক ৰজাৰ পদৰ পৰা আতৰাই, দেশৰ ওপৰত
এশ কিক্কৰ ৰূপ আৰু এক কিক্কৰ সোণ দণ্ড কৰিলে। ৪ তাৰ পাছত
মিচৰৰ ৰজাই তেওঁৰ ভায়েক ইলিয়াকীমক যিহূদা আৰু যিৰূচালেমৰ
ওপৰত ৰজা পাতিলে, আৰু তেওঁৰ নাম সলাই যিহোয়াকীম ৰাখিলে।
তেতিয়া তেওঁ ইলিয়াকীমৰ ককায়েক যোৱাহজক ধৰি মিচৰলৈ লৈ
গ'ল। ৫ যিহোয়াকীমে পঁচিশ বছৰ বয়সত ৰজা হৈ, যিৰূচালেমত
এঘাৰ বছৰ ৰাজত্ব কৰিলে৷ তেওঁ তেওঁৰ ঈশ্বৰ যিহোৱাৰ সাক্ষাতে
কু-আচৰণ কৰিলে। ৬ তেওঁৰ বিৰুদ্ধে বাবিলৰ ৰজা নবূখদনেচৰে
আহি তেওঁক আক্ৰমণ কৰি বাবিললৈ লৈ যাবৰ বাবে তেওঁক শিকলিৰে
বান্ধিলে। ৭ আৰু নবূখদনেচৰে যিহোৱাৰ গৃহৰ কিছু বস্তুও বাবিললৈ
লৈ গৈ, বাবিলত নিজৰ মন্দিৰত ৰাখিলে। ৮ চোৱা, যিহোয়াকীমৰ
অৱশিষ্ট বৃত্তান্ত, তেওঁ কৰা ঘিণলগা কাৰ্যবোৰ আৰু তেওঁত পোৱা
দোষৰ কথা ইস্ৰায়েলৰ আৰু যিহূদাৰ ৰজাসকলৰ ইতিহাস-পুস্তকখনত
লিখা আছে। পাছত তেওঁৰ পুত্ৰ যিহোয়াখীন তেওঁৰ পদত ৰজা
হ'ল। ৯ যিহোয়াখীনে ওঠৰ বছৰ বয়সত ৰজা হৈ, যিৰূচালেমত তিনি
মাহ দহ দিন ৰাজত্ব কৰিলে৷ তেওঁ যিহোৱাৰ সাক্ষাতে কু-অচৰণ
কৰিলে। ১০ পাছত বছৰৰ আৰম্ভণত নবূখদনেচৰ ৰজাই মানুহ
পঠিয়াই, তেওঁক আৰু যিহোৱাৰ গৃহৰ মনমোহা বস্তুবোৰ বাবিললৈ
অনালে আৰু যিহূদা অাৰু যিৰূচালেমৰ ওপৰত তেওঁৰ সম্বন্ধযুক্ত

চিদিকিয়াক ৰজা পাতিলে। ১১ চিদিকিয়াই একৈশ বছৰ বয়সত
ৰজা হৈ, যিৰূচালেমত এঘাৰ বছৰ ৰাজত্ব কৰিলে। ১২ তেওঁ তেওঁৰ
যিহোৱাৰ সাক্ষাতে কু-আচৰণ কৰিলে৷ তেওঁ যিহোৱাৰ বাক্য প্ৰকাশ
কৰোঁতা ভাববাদী যিৰিমিয়াৰ আগত নিজকে নম্ৰ নকৰিলে। ১৩
আৰু যি ৰজা নবূখদনেচৰে তেওঁক ঈশ্বৰৰ নামেৰে শপত কৰাইছিল,
তেওঁ সেই ৰজাৰ অহিতে বিদ্ৰোহীও হ'ল৷ তেওঁৰ ডিঙি থৰ আৰু মন
কঠিন কৰি ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱালৈ ঘূৰিবলৈ মান্তি নহ'ল। ১৪
বিশেষকৈ পুৰোহিতসকলৰ মাজৰ প্ৰধান লোকসকলে আৰু প্ৰজাসকলে
জাতিবোৰৰ আটাই ঘিণলগা কাৰ্যৰ দৰে অনেক সত্যলঙ্ঘন কৰিলে৷
আৰু যিহোৱাই যিৰূচালেমত যি গৃহ পবিত্ৰ কৰিছিল, তাক তেওঁলোকে
অশুচি কৰিলে। ১৫ তথাপি তেওঁলোকৰ ওপৰ পিতৃসকলৰ ঈশ্বৰ
যিহোৱাই নিজ প্ৰজাসকললৈ আৰু নিজৰ নিবাসৰ ঠাইলৈ মৰম লাগি,
অতি যত্নেৰে নিজৰ দূতবোৰক তেওঁলোকৰ গুৰিলৈ পঠিয়াই আছিল;
১৬ কিন্তু তেওঁলোকে ঈশ্বৰৰ দূতবোৰক খেঁজেলিয়াইছিল, তেওঁৰ বাক্য
তুচ্ছ কৰিছিল আৰু তেওঁৰ ভাববাদীসকলক সিয়াৰিছিল, সেয়েহে
শেষত যিহোৱাৰ ক্ৰোধ নিজ প্ৰজাসকললৈ জ্বলি উঠাত, তাক থমাব
পৰা আৰু উপায় নাছিল। ১৭ এই হেতুকে তেওঁ কলদীয়াসকলৰ ৰজাক
তেওঁলোকৰ বিৰুদ্ধে আনিলে; তেওঁ তেওঁলোকৰ ধৰ্মধামত তেওঁলোকৰ
ডেকাসকলৰ তৰোৱালেৰে বধ কৰিলে, যুৱক কি যুৱতী, বৃদ্ধ কি
অতি লুৰলুৰিয়া বুঢ়া, কাৰৈকো দয়া নকৰিলে, ঈশ্বৰে তেওঁৰ হাতত
সকলোকে শোধাই দিলে। ১৮ আৰু তেওঁ ঈশ্বৰৰ গৃহৰ সৰু বৰ সকলো
বস্তু আৰু যিহোৱাৰ গৃহৰ বহুমূল্য দ্ৰব্য আৰু ৰজাৰ ও তেওঁৰ প্ৰধান
লোকসকলৰ বহুমূল্য দ্ৰব্য, এই আটাইবোৰ বাবিললৈ লৈ গ'ল। ১৯
আৰু তেওঁৰ লোকসকলে ঈশ্বৰৰ গৃহ পুৰি ভস্ম কৰিলে, যিৰূচালেমৰ
গড় ভাঙিলে, তাৰ আটাই অট্টালিকাবোৰ জুইৰে পুৰি পেলালে আৰু
তাত থকা সকলো মনোহৰ পাত্ৰবোৰ নষ্ট কৰিলে। ২০ আৰু তৰোৱালৰ
পৰা ৰক্ষা পোৱা লোকসকলক তেওঁ বাবিললৈ লৈ গ'ল৷ তাতে পাৰস্য
ৰাজ্য স্থাপন নোহোৱালৈকে, সেই লোকসকলক ৰজাৰ আৰু তেওঁৰ
পুত্ৰৰ দাস হৈ থাকিল৷ ২১ যিৰিমিয়াৰ মুখে কোৱা যিহোৱাৰ বাক্য

সাম্ফল কৰিবৰ অৰ্থে, দেশে নিজৰ ভোগ কৰিব লগীয়া বিশ্ৰাম-
কাল ভোগ নকৰিলে অৰ্থাৎ লোকসকল তেওঁৰ আৰু তেওঁৰ সন্তান
সকলৰ দাস হৈ থাকিল৷ সত্তৰ বছৰ পূৰ কৰিবলৈ দেশ নিজৰ উচ্ছন্ন
হোৱা সকলো কালত বিশ্ৰাম ভোগ কৰিলে। ২২ পাছত পাৰস্যৰ ৰজা
কোৰচৰ ৰাজত্বৰ প্ৰথম বছৰত, যিৰিমিয়াৰ দ্বাৰাই কোৱা যিহোৱাৰ
বাক্যৰ সিদ্ধিৰ বাবে, যিহোৱাই পাৰস্যৰ কোৰচ ৰজাৰ মন উদগালে৷
তেওঁ নিজৰ ৰাজ্যৰ সকলো ফালে ঘোষণা কৰি আৰু জাননী লিখি, এই
আজ্ঞা প্ৰচাৰ কৰিলে৷ তেওঁ ক'লে, ২৩ "পাৰস্যৰ ৰজা কোৰচে এই
কথা কৈছে: স্বৰ্গৰ ঈশ্বৰ যিহোৱাই পৃথিৱীৰ সকলো ৰাজ্য মোক দান
কৰিলে৷ তেৱেঁই যিহূদা দেশৰ যিৰূচালেমত তেওঁৰ বাবে এটা গৃহ
নিৰ্ম্মাণ কৰিবলৈ মোক ভাৰ দিলে। তেওঁৰ সকলো প্ৰজাসকলৰ মাজৰ
যি কোনো লোক তোমালোকৰ মাজত আছে, তেওঁৰ ঈশ্বৰ যিহোৱা
তেওঁৰ লগত থাকক৷ আৰু সেই দেশলৈ তেওঁ উঠি যাওঁক।"

# এজৰা

১ পাৰস্যৰ ৰজা কোৰচৰ ৰাজত্বৰ প্ৰথম বছৰত, যিহোৱাই যিৰিমিয়াৰ
দ্বাৰা কোৱা বাক্য সিদ্ধ কৰিবৰ বাবে ৰজা কোৰচৰ মন উদগালে। তেওঁ
নিজৰ ৰাজ্যৰ সকলো ফালে ঘোষণা কৰিলে, আৰু জাননী লিখি এই
আজ্ঞা প্ৰচাৰ কৰিলে যে, ২ “পাৰস্যৰ ৰজা কোৰচে, এই কথা কৈছে,
স্বৰ্গৰ ঈশ্বৰ যিহোৱাই পৃথিৱীৰ সকলো ৰাজ্য মোক দিলে, আৰু তেওঁ
যিহূদা দেশৰ যিৰূচালেমত তেওঁৰ অৰ্থে এটা গৃহ নিৰ্ম্মাণ কৰিবৰ বাবে
মোক নিযুক্ত কৰিলে। ৩ তেওঁৰ লোকসকলৰ পৰা অহা তোমালোকৰ
মাজত যি কোনো লোক ইয়াত আছে, তেওঁৰ ঈশ্বৰ তেওঁৰ লগত
থাকক, আৰু যিহূদা দেশৰ যিৰূচালেমলৈ উঠি গৈ, যি জন যিৰূচালেমৰ
ঈশ্বৰ, সেই ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাৰ গৃহ নিৰ্মাণ কৰিব। ৪ ৰাজ্যৰ
যিকোনো ঠাইত যি সকল অৱশিষ্ট লোক বাস কৰি আছে, সেই ঠাইৰ
লোকসকলে যিৰূচালেমত থকা ঈশ্বৰৰ গৃহৰ অৰ্থে ইচ্ছাকৃত ভাৱে দিয়া
দানৰ উপৰিও ৰূপ, সোণ, নানা দ্ৰব্য, আৰু জীৱ-জন্তু দি তেওঁক সহায়
কৰক।” ৫ তাৰ পাছত যিহূদা আৰু বিন্যামীনৰ পূৰ্বপুৰুষসকলৰ মূল
মানুহসকল, লেবীয়াসকলৰ পুৰোহিতসকল আৰু যি সকল লোকৰ
আত্মা যিহোৱাৰ গৃহ নিৰ্ম্মাণৰ অৰ্থে যাবলৈ ঈশ্বৰে উদগালে, তেওঁলোক
গ’ল। ৬ তেওঁলোকৰ চাৰিওফালে থকা লোকসকলে ৰূপৰ আৰু সোণৰ
সামগ্ৰীসমূহ, দ্ৰব্যসমূহ, জীৱ-জন্তুবোৰ, বহুমূলীয়া বস্তু আৰু ইচ্ছাকৃত
ভাৱে দান দি তেওঁলোকে কৰা কাৰ্যত সহায় কৰিলে। ৭ নবূখদনেচৰে
যিহোৱাৰ গৃহৰ যি সামগ্ৰীসমূহ যিৰূচালেমৰ পৰা আনি নিজৰ দেৱতাৰ
গৃহত ৰাখিছিল, সেই সকলো সামগ্ৰী ৰজা কোৰচে মুকলি কৰি
দিলে। ৮ এই সামগ্ৰী সমূহ পাৰস্যৰ ৰজা কোৰচে মিত্ৰদাৎ ভঁৰালীৰ
হতত দিলে। তেওঁ এইবোৰ গণনা কৰি যিহূদাৰ নেতা চেচবচৰৰ
হাতত শোধাই দিলে। ৯ সেই সামগ্ৰী সমূহ সংখ্যা অনুসাৰে এনে
ধৰণৰ: সোণৰ চৰিয়া ত্ৰিশখন, ৰূপৰ চৰিয়া এক হাজাৰ, অন্য চৰিয়া
ঊনত্ৰিশখন, ১০ সোণৰ বাটি ত্ৰিশটা, ৰূপৰ সৰু বাটি চাৰিশ দহটা,
আৰু আন আন সামগ্ৰী এক হাজাৰ। ১১ সৰ্ব্বমুঠ সোণৰ আৰু ৰূপৰ বস্তু
পাঁচ হাজাৰ চাৰিশ আছিল। বন্দীত্বত থকা লোকসকলক বাবিলৰ পৰা

যিৰূচালেমলৈ ওভতাই অনা সময়ত চেচবচৰে এই সামগ্ৰী সমূহ লগত
লৈ আহিল।

**২** যি লোক সকলক ৰজা নবূখদনেচৰে বন্দী কৰি লৈ গৈছিল,
তেওঁলোকক বাবিলত বন্দী কৰি ৰাখিছিল। পাছত এই বন্দীত্বৰ পৰা
মুকলি হৈ তেওঁলোক নিজৰ নগৰ যিৰূচালেম আৰু যিহূদালৈ উভতি
আহিল। ২ তেওঁলোক জৰুব্বাবিল, যেচুৱা, নহিমিয়া, চৰায়া, ৰিয়েলায়া,
মৰ্দখয়, বিলচন, মিস্পৰ, বিগবয়, ৰহূম, আৰু বানা, এওঁলোকৰ
লগত আহিল। ৩ পৰিয়োচৰ বংশধৰসকলৰ সংখ্যা: দুই হাজাৰ এশ
বাসত্তৰ জন। ৪ চফটিয়াৰ বংশধৰসকলৰ সংখ্যা: তিনিশ বাসত্তৰ
জন। ৫ আৰহৰ বংশধৰসকলৰ সংখ্যা: সাত শ পঁয়সত্তৰ জন, ৬
যেচুৱা আৰু যোৱাবৰ দ্বাৰাই পহৎ-মোৱাবৰ বংশধৰসকলৰ সংখ্যা:
দুই হাজাৰ আঠ শ বাৰজন। ৭ এলমৰ বংশধৰসকলৰ সংখ্যা: এক
হাজাৰ দুশ চৌৱন্ন জন। ৮ জত্তুৰ বংশধৰসকলৰ সংখ্যা: নশ পঞ্চল্লিশ
জন। ৯ জক্কয়ৰ বংশধৰসকলৰ সংখ্যা: সাত শ ষাঠি জন। ১০ বাণীৰ
বংশধৰসকলৰ সংখ্যা ছশ বিয়াল্লিশ জন। ১১ বেবয়ৰ বংশধৰসকলৰ
সংখ্যা ছশ তেইশ জন। ১২ অজগদৰ বংশধৰসকলৰ সংখ্যা এক
হাজাৰ দুশ বাইশ জন। ১৩ অদোনীকামৰ বংশধৰসকলৰ সংখ্যা: ছশ
ছয়ষষ্ঠি জন। ১৪ বিগবয়ৰ বংশধৰসকলৰ সংখ্যা: দুই হাজাৰ ছাপন্ন
জন। ১৫ আদীনৰ বংশধৰসকলৰ সংখ্যা: চাৰিশ চৌৱন্ন জন। ১৬
হিষ্কিয়াৰ বংশধৰসকলৰ পৰা অহা আটেৰৰ লোকসকলৰ সংখ্যা:
আঠানব্বৈ জন। ১৭ বেচয়ৰ বংশধৰসকলৰ সংখ্যা: তিনিশ তেইশ
জন। ১৮ যোৰাৰ বংশধৰসকলৰ সংখ্যা: এশ বাৰ জন। ১৯ হাচুমৰ
লোকসকলৰ সংখ্যা: দুশ তেইশ জন। ২০ গিব্বৰৰ লোকসকলৰ
সংখ্যা: পঞ্চানব্বৈ জন। ২১ বৈৎলেহেমৰ লোকসকলৰ সংখ্যা: এশ
তেইশ জন। ২২ নটোফাৰ লোকসকলৰ সংখ্যা: ছাপন্ন জন। ২৩
অনাথোতৰ লোকসকলৰ সংখ্যা: এশ আঠাইশ জন। ২৪ অজমাবতৰ
লোকসকলৰ সংখ্যা: বিয়াল্লিশ জন। ২৫ কিৰিয়ৎ-আৰীম, কফীৰা,
আৰু বেৰোতৰ লোকসকলৰ সংখ্যা: সাতশ তিয়াল্লিশ জন। ২৬ ৰামা
আৰু গেবাৰ লোকসকলৰ সংখ্যা: ছশ একৈশ জন। ২৭ মিকমচৰ

লোকসকলৰ সংখ্যা: এশ বাইশ জন। ২৮ বৈৎএল আৰু অয়ৰ লোকসকলৰ সংখ্যা: দুশ তেইশ জন। ২৯ নবোৰ লোকসকলৰ সংখ্যা: বাৱন্ন জন। ৩০ মগবীচৰ লোকসকলৰ সংখ্যা: এশ ছাপন্ন জন। ৩১ অন্য এজন এলমৰ লোকসকলৰ সংখ্যা: এক হাজাৰ দুশ চৌৱন্ন জন। ৩২ হাৰীমৰ লোকসকলৰ সংখ্যা: তিনিশ বিশ জন। ৩৩ লোদ, হাদীদ, আৰু ওনোৰ লোকসকলৰ সংখ্যা: সাতশ পঁচিশ জন। ৩৪ যিৰীহোৰ লোকসকলৰ সংখ্যা: তিনিশ পঞ্চল্লিশ জন। ৩৫ চনাৱাৰ লোকসকলৰ সংখ্যা: তিনি হাজাৰ ছশ ত্রিশ জন। ৩৬ পুৰোহিতসকল; যেচুৱাৰ ঘৰৰ পৰা অহা যিদয়াৰ বংশধৰসকলৰ সংখ্যা: নশ ত্রেসত্তৰ জন। ৩৭ ইম্মেৰৰ বংশধৰসকলৰ সংখ্যা: এক হাজাৰ বাৱন্ন জন। ৩৮ পচহুৰৰ বংশধৰসকলৰ সংখ্যা: এক হাজাৰ দুশ সাতচল্লিশ জন। ৩৯ হাৰীমৰ বংশধৰসকলৰ সংখ্যা: এক হাজাৰ সোঁতৰ জন। ৪০ লেবীয়াসকল: হোদবিয়াৰ বংশধৰসকলৰ মাজৰ পৰা যেচুৱা আৰু কদ্মীয়েলৰ বংশধৰসকলৰ সংখ্যা: চৌসত্তৰ জন। ৪১ মন্দিৰৰ গায়কসকল: আচফৰ বংশধৰসকলৰ সংখ্যা: এশ আঠাইশ জন। ৪২ দুৱৰীসকলৰ বংশধৰসকলৰ: চল্লুম, আটেৰ, টল্মোন, অক্কুব, হটীটা, আৰু চোবয় বংশধৰসকলৰ সংখ্যা: সৰ্ব্বমুঠ এশ উনচল্লিশ জন। ৪৩ যিসকলক মন্দিৰৰ পৰিচৰ্যাৰ বাবে নিযুক্ত কৰা হৈছিল, তেওঁলোক হ'ল: চীহা, হচুফা, টব্বায়োৎ, ৪৪ কেৰোচ, চীয়হা, পাদোন, ৪৫ লবানা, হগাবা, অক্কুব, ৪৬ হাগব, চলম্য়, আৰু হাননৰ, বংশধৰসকল। ৪৭ গিদ্দেল, গহৰ, ৰায়া, ৪৮ ৰচীন, নকোদা, গজ্জম, ৪৯ উজ্জা, পাচেহ, বেচয়, ৫০ অস্না, মিয়ূনীম, আৰু নফূচীমৰ, বংশধৰসকল। ৫১ বকবুক, হকুফা, হৰ্হূৰ, ৫২ বস্লোত, মহীদা, হৰ্চা, ৫৩ বৰ্কোচ, চীচৰা, তেমহ, ৫৪ নচীহ, আৰু হটীফাৰ বংশধৰসকল। ৫৫ চলোমনৰ দাসবোৰৰ বংশধৰসকল: চোটয়, হচ্ছোপেৰৎ, পৰূদা, ৫৬ যালা, দৰ্কোণ, গিদ্দেল, ৫৭ চফটিয়া, হত্তীল, পোখৰৎ-হচবয়িম, আৰু আমী। এওঁলোকৰ বংশধৰ। ৫৮ চলোমনৰ দাসবোৰৰ বংশধৰসকল আৰু যিসকলক মন্দিৰৰ পৰিচৰ্যাৰ বাবে নিযুক্ত কৰা হৈছিল, তেওঁলোক সৰ্ব্বমুঠ তিনিশ বিৰানব্বৈ জন আছিল। ৫৯ যিসকল তেল-মেলহ, তেল-হৰ্চা, কৰূব,

অদ্দন, আৰু ইম্মেৰ এৰি আহিছিল, কিন্তু তেওঁলোক যিৰূচালেমত
থকা পূৰ্বপুৰুষৰ একো প্ৰমাণ দিব নোৱাৰিছিল। তেওঁলোক হ'ল: ৬০
দলায়াৰ টোবিয়াৰ আৰু নকোদাৰ বংশধৰসকলৰ সংখ্যা: ছশ বাৱন্ন
জন। ৬১ পুৰোহিতসকলৰ বংশধৰসকল: হবয়া, হক্কোচ, আৰু বৰ্জ্জিল্লয়
(যিজনে গিলিয়দৰ বৰ্জ্জিল্লয়ৰ মহিলাৰ মাজৰ এজনীক বিয়া কৰিলে,
আৰু তেওঁলোকৰ নামেৰে তেওঁৰ নামাকৰণ হ'ল) ৬২ তেওঁলোকে
বংশাৱলীৰ পত্ৰত তেওঁলোকৰ বংশৰ বৃত্তান্ত বিচাৰিবলৈ চেষ্টা কৰিলে,
কিন্তু বিচাৰি নাপালে, সেয়ে তেওঁলোকক কলুষিত বুলি পুৰোহিত
বাবৰ পৰা আঁতৰোৱা হ'ল। ৬৩ তেওঁলোকক অধিপতিয়ে কৈছিল,
যেতিয়ালৈকে ঊৰীম আৰু তুম্মিমৰ সৈতে এজন পুৰোহিতে অনুমোদন
নকৰে তেতিয়ালৈকে তোমালোকে কিছুমান উৎসৰ্গিত পবিত্ৰ বস্তু
নাখাবা। ৬৪ সৰ্ব্বমুঠ গোটেই দলটোৰ সংখ্যা: বিয়াল্লিশ হাজাৰ তিনিশ
ষাঠীজন আছিল; ৬৫ তেওঁলোকৰ দাস-দাসী সকলক (তেওঁলোক সাত
হাজাৰ তিনিশ সাতত্ৰিশ জন) আৰু তেওঁলোকৰ মন্দিৰৰ গায়ক-গায়িকা
সকলক (দুশ জন) অন্তৰ্ভুক্ত কৰা হোবা নাছিল। ৬৬ তেওঁলোকৰ
সাতশ চয়ত্ৰিশ টা ঘোঁৰা, দুশ পঞ্চল্লিশটা খছৰ, ৬৭ চাৰিশ পঁয়ত্ৰিশ
টা উট, আৰু ছয় হাজাৰ সাতশ বিশ টা গাধ আছিল। ৬৮ যেতিয়া
তেওঁলোকে যিৰূচালেমত থকা যিহোৱাৰ গৃহলৈ গৈছিল, তেতিয়া
যিহোৱাৰ গৃহ নিৰ্ম্মাণৰ অৰ্থে সন্মানীয় ব্যক্তিসকলে ইচ্ছাকৃত উপহাৰ
দান কৰিছিল। ৬৯ তেওঁলোকে নিজৰ শক্তি অনুসাৰে সেই কামৰ
বাবে পুঁজিত এষষ্ঠি হাজাৰ সোণৰ মূদ্ৰা পাঁচ হাজাৰ ৰূপৰ মিনা আৰু
পুৰোহিতে পিন্ধা এশখন বস্ত্ৰ দিলে। ৭০ পুৰোহিতসকল, লেবীয়াসকল,
লোকসকল, মন্দিৰৰ গায়কসকল আৰু দুৱৰীসকল, আৰু যিসকলক
নিজৰ নগৰৰ মন্দিৰৰ পৰিচৰ্যাৰ বাবে নিযুক্ত কৰা হৈছিল, তেওঁলোক
নিজৰ নগৰবোৰত বাস কৰিছিল। ইস্ৰায়েলৰ সকলো লোক নিজৰ
নগৰবোৰত আছিল।

৩ সপ্তম মাহৰ পাছত, ইস্ৰায়েলৰ লোকসকল তেওঁলোকৰ নগৰলৈ
উভতি আহিল। তেওঁলোকে যেতিয়া এজন মানুহৰ দৰে হৈ যিৰূচালেমত
একগোট হৈছিল, তেতিয়া ইস্ৰায়েলৰ লোকসকল তেওঁলোকৰ নিজৰ

নগৰলৈ উভতি আহিছিল। ২ যোচাদকৰ পুত্ৰ যেচুৱা আৰু তেওঁৰ
পুৰোহিত ভাইসকল, আৰু চল্টীয়েলৰ পুত্ৰ জৰুব্বাবিল আৰু তেওঁৰ
ভাইসকল থিয় হ'ল, আৰু ঈশ্বৰৰ লোক মোচিৰ বিধান পুস্তকত
লিখা আজ্ঞা অনুসাৰে হোম-বলি উৎসৰ্গৰ অৰ্থে ইস্ৰায়েলৰ ঈশ্বৰৰ
যজ্ঞবেদী নিৰ্ম্মাণ কৰিলে। ৩ দেশৰ লোকসকলৰ কাৰণে আতঙ্কিত হৈ
তেওঁলোকে যজ্ঞবেদী তাৰ নিজৰ স্থানত স্থাপন কৰিলে। তেওঁলোকে
ৰাতিপুৱা আৰু গধূলি যিহোৱাৰ উদ্দেশ্যে হোম-বলি উৎসৰ্গ কৰিছিল।
৪ লিখা অনুসাৰে তেওঁলোকে পঁজা-পৰ্ব্বও পালন কৰিছিল, আৰু
প্ৰতিদিনৰ নিয়ম অনুসাৰে দিনে দিনে হোম-বলি উৎসৰ্গ কৰিছিল। ৫
এইদৰে তেওঁলোকে প্ৰতিদিনে, আৰু প্ৰতিমাহে এবাৰ হোম-বলি,
নিৰূপিত সকলো পৰ্ব্ব, আৰু ইচ্ছাকৃত দানৰ সৈতে যিহোৱাৰ উদ্দেশে
উৎসৰ্গ কৰিছিল। ৬ সপ্তম মাহৰ প্ৰথম দিনৰে পৰা তেওঁলোকে
যিহোৱাৰ উদ্দেশ্যে হোম-বলি উৎসৰ্গ কৰিবলৈ ধৰিছিল। কিন্তু
তেতিয়াও যিহোৱাৰ মন্দিৰৰ ভিত্তিমূল স্থাপিত হোৱা নাছিল। ৭
সেয়ে তেওঁলোকে শিলৰ কাম কৰা লোকসকলক আৰু কাৰিকৰ
সকলক ৰূপ দিলে; আৰু পাৰস্যৰ ৰজা কোৰচৰ পৰা লোৱা অনুমতি
অনুসাৰে লিবানোনৰ পৰা যাফোৰ সাগৰৰ তীৰলৈ এৰচ কাঠ আনিবৰ
বাবে চীদোনীয়া আৰু তূৰীয়াসকলক আহাৰ, পেয় দ্ৰব্য, আৰু তেল
দিলে। ৮ দ্বিতীয় বছৰৰ দ্বিতীয় মাহত তেওঁলোক যিৰূচালেমত থকা
ঈশ্বৰৰ গৃহলৈ অহাৰ পাছত, জৰুব্বাবিল, যোচাদকৰ পুত্ৰ যেচুৱা,
অৱশিষ্ট পুৰোহিতসকল আৰু লেবীয়াসকল আৰু যিসকল বন্দী অৱস্থাৰ
পৰা মুকলি হৈ যিৰূচালেমলৈ আহিছিল, তেওঁলোকে কাম কৰিবলৈ
আৰম্ভ কৰিলে। যিহোৱাৰ গৃহৰ কাৰ্যৰ তত্ত্বাৱধান কৰিবলৈ বিশ
বছৰ আৰু তাতকৈ অধিক বয়সীয়া লেবীয়াসকলক নিযুক্ত কৰিলে।
৯ যেচুৱা আৰু তেওঁৰ পুত্ৰ আৰু ভায়েক-ককায়েকসকল, কদ্মীয়েল
আৰু তেওঁৰ পুত্ৰসকল, যিহূদাৰ বংশধৰসকলে ঈশ্বৰৰ গৃহত কাম
কৰা লোকসকলৰ তত্ত্বাৱধান কৰিছিল। তেওঁলোকৰ সৈতে হেনাদদৰ
বংশধৰসকল আৰু তেওঁলোকৰ বংশধৰসকল, আৰু তেওঁলোকৰ লগৰ
লেবীয়াসকলো আছিল। ১০ গৃহ নিৰ্ম্মাণ কৰোঁতা সকলে যিহোৱাৰ

মন্দিৰৰ ভিত্তিমূল স্থাপন কৰিলে। ইস্রায়েলৰ ৰজা দায়ূদে আজ্ঞা কৰাৰ
অনুসাৰে যিহোৱাৰ প্ৰশংসা কৰিবৰ অৰ্থে পুৰোহিতসকলে নিজৰ নিজৰ
বস্ত্ৰ পৰিধান কৰিলে, আৰু হাতত তুৰী-বাদ্য ল'লে, আচফৰ পুত্ৰ, আৰু
লেবীয়াসকলে হাতত তাল লৈ থিয় হ'ল। ১১ তেওঁলোকে যিহোৱাৰ
উদ্দেশে গীত গায় ধন্যবাদ আৰু প্ৰশংসা-স্তুতি কৰি ক'লে, "তেওঁ
মঙ্গলময়! ইস্রায়েললৈ তেওঁৰ দয়া চিৰকাললৈকে থাকে।" যিহোৱাৰ
গৃহৰ ভিত্তিমূল স্থাপন কৰা দেখি তেওঁলোকে আনন্দেৰে উচ্চধ্বনি
কৰি যিহোৱাৰ প্ৰশংসা কৰিলে। ১২ কিন্তু যিসকলে প্ৰথমবাৰৰ বাবে
গৃহৰ ভিত্তিমূল স্থাপন কৰা নিজ চকুৰে দেখিলে, তেনে বহু পুৰোহিত,
লেবীয়া, সন্মানীয় লোক, আৰু বৃদ্ধ লোকে চিঞৰি চিঞৰি কান্দিলে।
আনহাতে অনেক লোক আনন্দত উত্তেজিত হ'ল আৰু উচ্চ-স্বৰে জয়-
ধ্বনি কৰিলে। ১৩ তাৰ ফলত, কান্দোনৰ শব্দৰ কাৰণে লোকসকলে
আনন্দ আৰু জয়-ধ্বনিৰ শব্দৰ মাজৰ পাৰ্থক্য বুজি নাপালে। কাৰণ
লোকসকলে মহা-আনন্দত কান্দিছিল আৰু শব্দবোৰ বহু দূৰৈৰ পৰা
শুনা গৈছিল।

**4** বন্দিত্বৰ পৰা উভতি অহা লোকসকলে ইস্রায়েলৰ ঈশ্বৰ যিহোৱাৰ
উদ্দেশ্যে মন্দিৰ পুনৰ নিৰ্ম্মাণ কৰিছে বুলি যিহূদা আৰু বিন্যামীনৰ
কিছুমান শত্ৰুৱে শুনিলে। ২ সেয়ে তেওঁলোকে জৰুব্বাবিল আৰু
তেওঁলোকৰ পূৰ্বপুৰুষৰ জাতিৰ মূল লোকসকলৰ কাষ চাপিল।
তেওঁলোকে তেওঁলোকক ক'লে, "আহাঁ আমি তোমালোকৰ সৈতে
তোমালোকৰ দৰেই মন্দিৰ নিৰ্ম্মাণ কৰোঁহক, আমি তোমালোকৰ
ঈশ্বৰক বিচাৰো আৰু অচূৰৰ এচৰ-হদ্দোন ৰজাই আমাক এই ঠাইলৈ
অনা দিনৰে পৰা আমি সেই ঈশ্বৰৰ উদ্দেশ্যেই বলি-দান কৰি আছোঁ।"
৩ কিন্তু জৰুব্বাবিল, যেচুৱা আৰু তেওঁলোকৰ পূৰ্বপুৰুষৰ জাতিৰ মূল
লোকসকলে ক'লে, "তোমালোক নহয়, কিন্তু আমিহে আমাৰ ঈশ্বৰৰ
গৃহ নিৰ্ম্মাণ কৰিম। পাৰস্যৰ কোৰচ ৰজাই আদেশ দিয়া অনুসাৰে
ইস্রায়েলৰ ঈশ্বৰ যিহোৱাৰ উদ্দেশ্যে আমি গৃহ নিৰ্ম্মাণ কৰিম।" ৪ সেয়ে
দেশৰ লোকসকলে যিহূদাৰ লোকসকলক ভয় দেখুৱাই গৃহ নিৰ্ম্মাণ
কাৰ্যত বাধা প্ৰয়োগ কৰিলে। ৫ তেওঁলোকৰ অভিপ্ৰায় ব্যৰ্থ কৰিবলৈ

তেওঁলোকে পৰমৰ্শদাতাকো উৎকোচ হিচাবে ধন প্ৰদান কৰিছিল। পাৰস্যৰ কোৰচ ৰজাই ৰাজত্ব কৰা দিনলৈকে আৰু পাৰস্যৰ দাৰিয়াবচ ৰজাৰ ৰাজত্ব সময়লৈকে, তেওঁলোকে এনেদৰে কৰি থাকিল।
৬ তাৰ পাছত অহচবেৰোচ ৰজাৰ ৰাজত্বৰ আৰম্ভণিতে তেওঁলোকে যিহূদা আৰু যিৰূচালেম-নিবাসীসকলৰ বিৰুদ্ধে এখন অভিযোগ-পত্ৰ লিখিলে।
৭ অহচবেৰোচ ৰজাৰ ৰাজত্বৰ সময়ত, সেই বিশ্লম, মিত্ৰদাৎ, টাবেল, আৰু তেওঁৰ সহকাৰীসকলে, পাৰস্যৰ অহচবেৰোচ ৰজালৈ এখন পত্ৰ লিখিলে। সেই পত্ৰ অৰামীয়া ভাষাৰে লিখা আৰু অনুবাদ কৰা আছিল।
৮ ৰহূম সেনাপতি আৰু চিমচয় লিখকেও অৰ্তক্ষত্ৰ ৰজালৈ যিৰূচালেমৰ বিষয়ে এইদৰে এখন পত্ৰ লিখিলে।
৯ তাৰ পাছত ৰহূম, চিমচয়, আৰু তেওঁৰ সহকাৰীসকল দীনায়ীয়া, অফৰ্চৎখীয়া, টৰ্পলীয়া, অৰ্ফচীয়া, অৰ্কবীয়া, বাবিলীয়া, চুচনখীয়া, দেহয়ীয়া, আৰু এলমীয়া লোকসকলে এখন পত্ৰ লিখিলে।
১০ নদীৰ সিপাৰে থকা দেশৰ অৱশিষ্ট লোকসকলৰ সৈতে তেওঁলোকে মহামহিম মৰ্য্যদাৱান অস্নপ্পৰে চমৰিয়াত বাস কৰিবলৈ বাধ্য কৰোঁৱা লোকসকলৰ লগত যোগ দিলে।
১১ এই খনেই তেওঁলোকে অৰ্তক্ষত্ৰ ৰজালৈ পঠোৱা পত্ৰখনৰ অনুলিপি, “নদীৰ সিপাৰে থকা আপোনাৰ দাসবোৰে এই পত্ৰ লিখিছে:
১২ মহাৰাজক জানিবলৈ দিওঁ যে, যি যিহূদী লোকসকল আপোনাৰ পৰা আঁতৰি গৈ, পুনৰ যিৰূচালেমলৈ আহি আমাৰ বিৰুদ্ধে বিদ্ৰোহী নগৰ নিৰ্ম্মাণ কৰিছে। তেওঁলোকে দেৱালবোৰ সম্পূৰ্ণ কৰিলে আৰু ভিত্তিমূল মেৰামতি কৰিলে।
১৩ এতিয়া ৰজাক জানিবলৈ দিওঁ যে, যদি তেওঁলোকে এই নগৰ নিৰ্ম্মাণ কৰে আৰু দেৱালবোৰ সম্পূৰ্ণ কৰে তেনেহলে, তেওঁলোকে আপোনাক কোনো প্ৰকাৰৰ কৰ-কাটল নিদিব, কিন্তু তেওঁলোকে ৰজাৰ অনিষ্টহে কৰিব।
১৪ আমি হ’ল সচাঁকৈয়ে ৰজা প্ৰসাদৰ নিমখ খাই আছোঁ, সেয়ে ৰজাৰ কোনো অপমান হোৱা চাই থকা আমাৰ পক্ষে উচিত নহয়। এই কাৰণে আমি মহাৰাজক এই কথা জনাইছোঁ।
১৫ আপোনাৰ পিতৃৰ ইতিহাস-পুস্তকত বিচাৰি চাওক আৰু প্ৰমাণ কৰক যে, এইখন এখন বিদ্ৰোহী নগৰ ই ৰজা আৰু প্ৰদেশবোৰৰ অনিষ্টজনক। ই ৰজা আৰু প্ৰদেশলৈ বহুতো সমস্যাৰ

সৃষ্টি কৰিব। বহু আগৰে পৰা বিদ্ৰোহীসকলৰ বাবে এইখন এখন মূখ্য
ঠাই। ইয়াৰ বাবেই সেই নগৰখন ধংস হৈছিল। ১৬ আমি মহাৰাজক
জনাও যে, যদি এই নগৰ আৰু তাৰ দেৱাল নিৰ্ম্মাণ কৰা হয় তেনেহ'লে
মহা নদীৰ সিপাৰে আপোনাৰ কোনো অস্তিত্ব নাথাকিব।" ১৭ ৰজাই
ৰহূম, চিমচয়, চমৰিয়াত থকা তেওঁলোকৰ সহকাৰীসকল আৰু নদীৰ
সিপাৰে থকা অৱশিষ্ট লোকসকলক উত্তৰ লিখি পঠালে, "তোমালোকৰ
মঙ্গল হওক। ১৮ তোমালোকে মোলৈ পঠোৱা পত্ৰ অনুবাদ কৰি
মোৰ আগত পঢ়ি শুনালে। ১৯ সেয়ে মই বুজ-বিচাৰ কৰিবলৈ আজ্ঞা
দিলোঁ আৰু জানিব পাৰিলোঁ যে, আগৰে পৰাই তেওঁলোক বিদ্ৰোহী
আছিল আৰু ৰজাৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছিল। ২০ পৰাক্ৰমী ৰজাসকলে
যিৰূচালেমৰ ওপৰত শাসন কৰিছিল আৰু নদীৰ সিপাৰৰ সকলো বস্তুৰ
ওপৰত অধিকাৰ কৰিছিল। তেওঁলোকক কৰ-কাটল দিছিলে। ২১
এতিয়া, সেই লোকসকলক এই নগৰ নিৰ্ম্মাণ কাৰ্য বন্ধ কৰিবলৈ আজ্ঞা
দিওঁ আৰু যেতিয়ালৈকে মই আজ্ঞা নিদিওঁ তেতিয়ালৈকে তেওঁলোকে
নগৰ নিৰ্ম্মাণ কৰিব নোৱাৰে। ২২ সাৱধান হোৱা, ইয়াক অৱহেলা
নকৰিবা। কিয় ৰজাক আঘাত দিবলৈ ক্ষতি বৃদ্ধি কৰিছা?" ২৩ যেতিয়া
অৰ্তক্ষত্ৰ ৰজাৰ আজ্ঞা ৰহূম, চিমচয়, আৰু তেওঁলোকৰ সহকাৰীসকলৰ
আগত পঢ়ি শুনালে, তেওঁলোকে তৎক্ষণাত যিৰূচালেমলৈ গ'ল আৰু
যিহূদীসকলক বলেৰে গৃহ নিৰ্ম্মাণ কাৰ্য বন্ধ কৰিলে। ২৪ সেয়ে পাৰস্যৰ
ৰজা দাৰিয়াবচৰ ৰাজত্ব কালৰ দ্বিতীয় বছৰলৈকে যিৰূচালেমত ঈশ্বৰৰ
গৃহৰ নিৰ্ম্মাণৰ কাৰ্য বন্ধ থাকিল।

৫ তাৰ পাছত হগ্গয় ভাবাদী আৰু ইদ্দোৰ পুত্ৰ জখৰিয়া ভাববাদীয়ে,
যিহূদা আৰু যিৰূচালেমত থকা যিহূদী লোকসকলৰ আগত ইস্ৰায়েলৰ
ঈশ্বৰৰ নামত ভাববাণী প্ৰচাৰ কৰিলে। ২ চল্টীয়েলৰ পুত্ৰ জৰুব্বাবিল,
আৰু যোচাদকৰ পুত্ৰ যেচুৱাৰ লগতে যিসকলে তেওঁলোকক উদগণি
দিছিল, সেই ভাববাদীসকলৰ সৈতে তেওঁলোকে যিৰূচালেমত ঈশ্বৰৰ
গৃহ নিৰ্ম্মাণ কাৰ্য আৰম্ভ কৰিলে। ৩ নদীৰ সিপাৰে থকা শাসনকৰ্ত্তা
তত্তনয়, চথৰ-বোজনয়, আৰু তেওঁলোকৰ সহকাৰীসকলে তেওঁলোকৰ
ওচৰলৈ আহি ক'লে, "এই গৃহ সাজিবলৈ আৰু এই দেৱালবোৰ নিৰ্ম্মাণ

কৰিবলৈ তোমালোকক কোনে আজ্ঞা দিলে?” ৪ তেওঁলোকে পুনৰ
ক'লে, “যি লোকসকলে এই গৃহ নিৰ্ম্মাণ কৰি আছে, তেওঁলোকৰ নাম
কি?” ৫ কিন্তু ঈশ্বৰৰ দৃষ্টি যিহূদীৰ বৃদ্ধ লোকসকলৰ ওপৰত আছিল,
আৰু তেওঁলোকে কাৰ্য বন্ধ নকৰিলে। ৰজা দাৰিয়াবচৰ পৰা অহা
আজ্ঞালৈ তেওঁলোকে অপেক্ষা কৰিলে। ৬ এইখন দাৰিয়াবচ ৰজালৈ
তত্তনয়, চথৰ-বোজনয়, আৰু তেওঁলোকৰ সহকাৰী কৰ্মচাৰীসকলে
লিখা পত্ৰ। ৭ তেওঁলোকে দাৰিয়াবচ ৰজালৈ এখন প্ৰতিবেদন লিখি
পঠালে, “আপোনাৰ চাৰিওদিশে মঙ্গল হওঁক। ৮ মহাৰাজে জ্ঞাত
হওঁক, যে, আমি যিহূদাত মহান ঈশ্বৰৰ গৃহলৈ গৈছিলোঁ। তাক বৰ বৰ
শিলেৰে নিৰ্ম্মাণ কৰা হৈছে, আৰু দেৱালত কাঠ লগোৱা হৈছে। এই
কাৰ্য পুঙ্খানুপুঙ্খ ভাৱে কৰা হৈছে, আৰু তেওঁলোকৰ হাতৰ দ্বাৰাই এই
কাৰ্য সুন্দৰভাৱে আগবাঢ়ি গৈছে। ৯ আমি বৃদ্ধসকলক সুধিলোঁ, ‘এই
গৃহ আৰু এই দেৱালবোৰ নিৰ্ম্মাণ কৰিবলৈ আপোনালোকক কোনে
আজ্ঞা দিলে’। ১০ লগতে যি সকলে তেওঁলোকক নেতৃত্ব দি আছে সেই
লোকসকলৰ নাম জানিবৰ বাবে আমি তেওঁলোকৰ নামো সুধিলোঁ।
১১ তেতিয়া তেওঁলোকে উত্তৰ দি ক'লে, “স্বৰ্গ আৰু পৃথিৱীৰ যি ঈশ্বৰ
তেওঁৰ আমি দাস, আমি এই গৃহ পুনৰ নিৰ্ম্মাণ কৰি আছোঁ। যি গৃহ বহু
বছৰৰ আগতেই ইস্ৰায়েলৰ এজন মহান ৰজাই নিৰ্ম্মাণ কৰি সম্পূৰ্ণ
কৰিছিল। ১২ সেয়ে, যেতিয়া আমাৰ পূৰ্বপুৰুষসকলে, স্বৰ্গৰ ঈশ্বৰৰ
ক্ৰোধ প্ৰজ্বলিত কৰিছিল তেতিয়া বাবিলৰ ৰজা নবূখদনেচৰৰ হাতত
ঈশ্বৰে তেওঁলোকক শোধাই দিছিল আৰু ৰজা নবূখদনেচৰে এই গৃহ
নষ্ট কৰিছিল আৰু লোকসকলক বাবিললৈ বন্দী কৰি লৈ গৈছিল। ১৩
তথাপি, বাবিলৰ কোৰচ ৰজাৰ ৰাজত্বৰ প্ৰথম বছৰত, কোৰচ ৰজাই
ঈশ্বৰৰ এই গৃহ পুনৰ নিৰ্ম্মাণ কৰিবলৈ আজ্ঞা জাৰি কৰিলে। ১৪ ঈশ্বৰৰ
গৃহৰ যিবোৰ সোণ আৰু ৰূপৰ বস্তু আছিল, সেইবোৰ নবূখদনেচৰে
যিৰূচালেমৰ মন্দিৰৰ পৰা বাবিলৰ মন্দিৰলৈ লৈ গৈছিল। সেইবোৰো
কোৰচ ৰজাই ঘূৰাই দিছিল। তেওঁ নিযুক্ত কৰা অধ্যক্ষ চেচবচৰক
সেইবোৰ পুনৰ গতাই দিয়ে। ১৫ ৰজাই তেওঁক কৈছিল, ‘এইবোৰ বস্তু
লৈ যোৱা আৰু যিৰূচালেমৰ মন্দিৰত ৰাখা। ঈশ্বৰৰ গৃহ সেই ঠাইত

পুনৰ নিৰ্ম্মাণ কৰা হওঁক'। ১৬ তাৰ পাছত চেচবচৰে আহি যিৰূচালেমত
ঈশ্বৰৰ গৃহৰ ভিত্তিমূল স্থাপন কৰিলে; আৰু এই নিৰ্মাণ কাৰ্য আমি কৰি
আছোঁ, কিন্তু এতিয়াও সম্পূৰ্ণ হোৱা নাই। ১৭ এতিয়া যদি মহাৰাজৰ
দৃষ্টিত ভাল দেখে, তেনেহলে কোৰচ ৰজাই যিৰূচালেমত ঈশ্বৰৰ গৃহ
পুনৰ নিৰ্ম্মাণ কৰিবলৈ আজ্ঞা দিয়াৰ কথা বিচাৰ কৰিবলৈ মহাৰাজে
বাবিলত থকা ৰাজভঁৰালৰ নথি-পত্ৰৰ বুজ-বিচাৰ কৰি চাওঁক। তাৰ
পাছত মহাৰাজে তেওঁৰ সিদ্ধান্ত আমালৈ লিখি পঠাওঁক।"

**৬** সেয়ে দাৰিয়াবচ ৰজাই বাবিলৰ ৰাজভঁৰালত থকা নথি-পত্ৰবোৰ
বিচাৰ কৰিবলৈ আজ্ঞা দিলে। ২ মাদীয়াৰ অকমথাত নগৰৰ গড়ত
এখন নুৰিওৱা পুথি পোৱা গ'ল; সেই পুথিত এই বিৱৰণ লিখা আছিল:
৩ "কোৰচ ৰজাৰ প্ৰথম বছৰত, কোৰচ ৰজাই যিৰূচালেমত থকা
ঈশ্বৰৰ গৃহৰ বিষয়ে এটা আজ্ঞা জাৰি কৰিছিল: 'বলিদানৰ বাবে গৃহটো
নিৰ্ম্মাণ কৰা হওঁক। তাৰ দেৱালবোৰৰ ওখ আৰু বহল ষাঠি হাত, ৪
তিনি শাৰী ডাঙৰ শিল আৰু এশাৰী নতুন কাঠৰ সৈতে নিৰ্ম্মাণ কৰা
হওক। এই নিৰ্ম্মাণ কাৰ্যত ৰজাৰ গৃহৰ পৰা ব্যয় কৰা হওক। ৫ ঈশ্বৰৰ
গৃহৰ যিবোৰ সোণ আৰু ৰূপৰ বস্তু নবূখদনেচৰে যিৰূচালেমৰ মন্দিৰৰ
পৰা উলিয়াই বাবিলৰ মন্দিৰলৈ আনিছিল, সেইবোৰো ঘূৰাই পঠোৱা
হওক। সেইবোৰ যিৰূচালেমৰ মন্দিৰলৈ পঠোৱা আৰু সেইবোৰ ঈশ্বৰৰ
গৃহত জমা কৰা হওক।' ৬ চথৰ-বোজনয় তত্তনয় আৰু নদীৰ সিপাৰে
থকা তোমালোকৰ সহকাৰী কৰ্মচাৰীসকলৰ পৰা আঁতৰি থাকা। ৭
ঈশ্বৰৰ সেই গৃহৰ কাৰ্য তোমালোকে এৰি দিয়া। ঈশ্বৰৰ গৃহ অধ্যক্ষ
আৰু যিহূদীৰ বৃদ্ধসকলে সেই ঠাইতে নিৰ্ম্মাণ কৰক। ৮ যিসকল
যিহূদী বৃদ্ধলোকে ঈশ্বৰৰ সেই গৃহ নিৰ্ম্মাণ কৰি আছে তেওঁলোকৰ
বাবে এই সকলো কৰিবলৈ মই তোমালোকক আজ্ঞা দিছোঁ: সেই
লোকসকলৰ কাৰ্য বন্ধ নহবৰ বাবে নদীৰ সিপাৰৰ ৰাজকৰৰ পৰা
ৰজাৰ ধনেৰে তেওঁলোকক হাজিৰা দিয়া হওক। ৯ স্বৰ্গৰ ঈশ্বৰৰ
উদ্দেশ্যে হোম-বলি দিবলৈ যিৰূচালেমৰ পুৰোহিতসকলে আদেশ
দিয়া অনুসাৰে প্ৰতিদিনে ক্ষতি নকৰাকৈ যি যি প্ৰয়োজনীয় বস্তু যেনে,
দমৰা, মতা মেৰ বা মেৰ-ছাগ পোৱালি, ঘেঁহু, লোণ, দ্ৰাসাৰস, বা

তেল, এইসকলো বস্তু তেওঁলোকক দিয়া হওক। ১০ স্বৰ্গৰ ঈশ্বৰলৈ
দান দিবলৈ আৰু ৰজা আৰু তেওঁৰ পুত্ৰসকলৰ কাৰণে তেওঁলোকে
প্ৰাৰ্থনা কৰিবলৈ তোমালোকে এই দৰে কৰা। ১১ মই আজ্ঞা কৰিছোঁ,
যে, যি কোনোৱে এই আজ্ঞা লঙ্ঘন কৰিব, তাৰ ঘৰৰ চালৰ এডাল
কাঠ উলিয়াই আনি তেওঁক তাত আৰি থোৱা হ'ব আৰু সেই দোষৰ
বাবে তেওঁৰ ঘৰ জাবৰৰ দ'ম কৰা হ'ব। ১২ যিকোনো ৰজা আৰু
প্ৰজাই যিৰূচালেমত থকা ঈশ্বৰৰ গৃহৰ এই আজ্ঞা-লঙ্ঘন কৰিব,
তেওঁক ঈশ্বৰে উচ্ছন্ন কৰিব। মই দাৰিয়াবচে, এই আজ্ঞা কৰিছোঁ।
ইয়াক সম্পূৰ্ণভাৱে পালন কৰা।" ১৩ তাৰ পাছত ৰজা দাৰিয়াবচে
দিয়া আদেশ অনুসাৰে তত্তনয়, চথৰ-বোজনয়, আৰু তেওঁলোকৰ
সহকাৰীসকলে সকলো কাৰ্য কৰিলে। ১৪ সেয়ে হগ্গয় আৰু জখৰিয়া
ভাববাদীৰ ভাববাণীৰ নিৰ্দেশ অনুযায়ী যিহূদাৰ বৃদ্ধসকলে নিৰ্ম্মাণ
কাৰ্য কৰিলে। তেওঁলোকে ইস্ৰায়েলৰ ঈশ্বৰ আৰু কোৰচ, দাৰিয়াবচ,
আৰু পাৰস্যৰ ৰজা অৰ্তক্ষত্ৰৰ আজ্ঞা অনুসাৰে তেওঁলোকে গৃহ নিৰ্ম্মাণ
কৰিলে। ১৫ ৰজা দাৰিয়াবচৰ ৰাজত্বৰ ষষ্ঠ বছৰৰ, অদৰ মাহৰ (মাৰ্চ
মাহৰ পূৰ্ণিমাৰ পৰা এপ্ৰিল মাহৰ পূৰ্ণিমালৈকে) তৃতীয় দিনা এই
গৃহ সম্পূৰ্ণ হ'ল। ১৬ ঈশ্বৰৰ এই গৃহ আনন্দেৰে ইস্ৰায়েলৰ লোক,
পুৰোহিত, লেবীয়া আৰু বন্দীত্বৰ পৰা অহা লোকসকলে ঈশ্বৰৰ এই গৃহ
আনন্দেৰে ঈশ্বৰলৈ উৎসৰ্গা কৰিলে। ১৭ ঈশ্বৰৰ গৃহ উৎসৰ্গ কৰোঁতে
এশ দমৰা, এশ মতা মেৰ-ছাগ, আৰু চাৰিশ মেৰ-ছাগ পোৱালি,
তেওঁলোকে দান দিলে। ইস্ৰায়েলত থকা প্ৰতিটো জাতিৰ বাবে এটা
আৰু সকলো ইস্ৰায়েল লোকসকলৰ বাবে পাপাৰ্থক বলিস্বৰূপে বাৰটা
মতা ছাগলীও দান কৰিলে। ১৮ মোচিৰ পুস্তকখনত লিখা অনুসাৰে
তেওঁলোকে যিৰূচালেমত ঈশ্বৰৰ পৰিচৰ্যাৰ অৰ্থে পুৰোহিতসকলক
আৰু লেবীয়াসকলক কাৰ্যৰ বিভাগ অনুসাৰে নিযুক্ত কৰিলে। ১৯ সেয়ে
প্ৰথম মাহৰ চৌদ্ধ দিনৰ দিনা বন্দীত্বৰ পৰা অহা লোকসকলে নিস্তাৰ-
পৰ্ব্ব পালন কৰিলে। ২০ পুৰোহিত আৰু লেবীয়াসকলে নিজকে শুচি
কৰিলে আৰু যি সকল বন্দীত্বৰ পৰা আহিছিল, তেওঁলোক সকলোৰে
বাবে নিস্তাৰ-পৰ্ব্বৰ বলি উৎসৰ্গ কৰিলে। ২১ বন্দীত্বৰ পৰা অহা

ইস্ৰায়েলৰ লোকসকল, যিসকলে দেশৰ অশুচি লোকসকলৰ পৰা
নিজকে পৃথক কৰি ৰাখিলে আৰু ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাৰ উদ্দেশ্যে
হৰ্ষধ্বনি কৰিলে, তেওঁলোকে নিস্তাৰ-পৰ্ব্বৰ মাংসৰ কিছু অংশ ভোজন
কৰিলে। ২২ তেওঁলোকে সাত দিনলৈকে খমীৰ নিদিয়া পিঠাৰ পৰ্ব্ব
আনন্দেৰে পালন কৰিলে। কিয়নো যিহোৱাই তেওঁলোকলৈ আনন্দ
কঢ়িয়াই আনিলে, আৰু ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাৰ গৃহ নিৰ্ম্মাণ কাৰ্যত
তেওঁলোকৰ হাত সবল কৰিবৰ অৰ্থে ৰজা অচুৰৰ মন তেওঁলোকলৈ
ঘূৰালে।

**৭** এই সকলো হোৱাৰ পাছত, ৰজা অৰ্তক্ষত্ৰৰ ৰাজত্বৰ সময়ত
ইজ্ৰাৰ বংশধৰসকল, চৰায়া, অজৰিয়া, হিল্কিয়া, ২ চল্লুম, চাদোক,
অহীটুব, ৩ অমৰিয়া, অজৰিয়া, মৰায়োৎ, ৪ জৰহীয়া, উজ্জী, বুক্কী, ৫
অবীচুৱা, পীনহচ, ইলিয়াজৰ, তাৰ পাছত হাৰোণ প্ৰধান পুৰোহিত।
৬ ইজ্ৰা বাবিল ত্যাগ কৰিলে। ঈশ্বৰ যিহোৱাই ইস্ৰায়েলক দিয়া
মোচিৰ বিধান-পুস্তকৰ তেওঁ এজন পাৰ্গত অধ্যাপক আছিল। তেওঁ
যি বস্তুৰেই খুজিছিল ৰজাই তেওঁক দিছিল, কাৰণ ঈশ্বৰ যিহোৱা
তেওঁৰ লগত আছিল। ৭ ইস্ৰায়েলৰ বংশধৰ সকলৰ কিছুমানক, আৰু
পুৰোহিতসকল, লেবীয়াসকল, মন্দিৰৰ গায়কসকল, দুৱৰীসকল, আৰু
যি সকলক মন্দিৰৰ পৰিচৰ্যাৰ বাবে নিযুক্ত কৰা হৈছিল, তেওঁলোকো
ৰজা অৰ্তক্ষত্ৰৰ ৰাজত্বৰ সপ্তম বছৰত যিৰূচালেমলৈ গৈছিল। ৮ ইজ্ৰা
সেই একে বছৰৰ পঞ্চম মাহত যিৰূচালেমলৈ গৈ পালে। ৯ তেওঁ প্ৰথম
মাহৰ, প্ৰথম দিনা বাবিল ত্যাগ কৰিছিল। তেওঁৰ ওপৰত ঈশ্বৰৰ দৃষ্টি
মঙ্গলময় আছিল আৰু পঞ্চম মাহৰ প্ৰথম দিনা তেওঁ যিৰূচালেমলৈ
গৈ পাইছিল। ১০ ইজ্ৰা যিহোৱাৰ বিধান-পুস্তকৰ আজ্ঞাবোৰ অধ্যয়ন
আৰু পালন কৰিবলৈ, বিধান-প্ৰণালী আৰু আজ্ঞাবোৰ শিকাবলৈ
নিজৰ মন স্থিৰ কৰিলে। ১১ ৰজা অৰ্তক্ষত্ৰ ইস্ৰায়েলৰ আজ্ঞাবোৰৰ
আৰু বিধানৰ অধ্যাপক পুৰোহিত ইজ্ৰাক দিয়া আজ্ঞা এইখন: ১২
"স্বৰ্গৰ ঈশ্বৰৰ বিধান-পুস্তকৰ অধ্যাপক পুৰোহিত ইজ্ৰালৈ ৰজাৰো
ৰজা অৰ্তক্ষত্ৰৰ নমস্কাৰ। ১৩ মই আজ্ঞা কৰিছোঁ যে, মোৰ ৰাজ্য
ইস্ৰায়েলৰ পৰা কোনো এজন লোকে, তেওঁলোকৰ পুৰোহিত ও

লেবীয়াসকলৰ লগত যি জনে নিজৰ ইচ্ছাৰে যিৰূচালেমলৈ যাব খোজে,
তেওঁলোকে আপোনাৰ লগত যাব পাৰে। ১৪ ঈশ্বৰৰ বিধান অনুসাৰে
যিহূদা আৰু যিৰূচালেমৰ বিষয়ে সম্পূৰ্ণকৈ বুজি-বিচাৰ ল'বলৈ মই,
ৰজাই আৰু মোৰ সাতজন পৰামৰ্শদাতাই আপোনাক পঠালোঁ। ১৫
তেওঁলোকে মুক্তভাৱে যিৰূচালেমত থকা ইস্রায়েলৰ ঈশ্বৰক, আৰু
তেওঁৰ গৃহৰ বাবে দিয়া ৰূপ আৰু সোণ, ১৬ লগতে লোক সমূহৰ
যোগেদি আৰু পুৰোহিত সকলৰ দ্বাৰাই মুক্তভাৱে যিৰূচালেমৰ ঈশ্বৰৰ
গৃহৰ বাবে দিয়া দান আৰু বাবিলৰ লোকসকলে দিয়া সকলো ৰূপ আৰু
সোণ লগত লৈ আহিব। ১৭ সেয়ে আপুনি ষাঁড়-গৰু, মতা মেৰ-ছাগ,
আৰু মেৰ-ছাগ পোৱালিবোৰ, ভক্ষ্য ও পেয়-নৈবেদ্যৰ বাবে কিনক।
যিৰূচালেমত থকা আপোনাৰ ঈশ্বৰৰ গৃহৰ যজ্ঞ-বেদিৰ ওপৰত সেই
বোৰ উৎসৰ্গ কৰিব। ১৮ অৱশিষ্ট থকা ৰূপ আৰু সোণেৰে আপুনি
আৰু আপোনাৰ ভাইসকলে আপোনালোকৰ ঈশ্বৰৰ ইচ্ছা অনুসাৰে
যি কৰিবলৈ ভাল দেখে তাকে কৰিব। ১৯ আপোনাৰ ঈশ্বৰৰ গৃহৰ
পৰিচৰ্যাৰ অৰ্থে আপোনাক মুক্তভাৱে দিয়া বস্তুবোৰ যিৰূচালেমত
ঈশ্বৰৰ সাক্ষাতে দি দিব। ২০ তাৰ বাহিৰে আপোনাৰ ঈশ্বৰৰ গৃহৰ
কাৰণে যি প্ৰয়োজনীয় বাকী থাকিব, সেইবোৰ মোৰ ৰাজভঁৰালৰ
পৰা খৰচ কৰি কিনি ল'ব। ২১ মই ৰজা অৰ্তক্ষত্ৰই নদীৰ সিপাৰে
থকা সকলো কোষাধ্যক্ষক আজ্ঞা দিছোঁ যে, 'ইজ্ৰাই তোমালোকৰ
পৰা যি বস্তু খুজিব, তোমালোকে তেওঁক সম্পূৰ্ণকৈ দিবা। ২২ এশ
কিক্কৰলৈকে ৰূপ, এশ কোৰলৈকে ঘেঁহু, এশ বটললৈকে দ্ৰাক্ষাৰস,
আৰু এশ বটললৈকে তেল, আৰু অপৰিমিতৰূপে লোণ দিব। ২৩
স্বৰ্গৰ ঈশ্বৰৰ আজ্ঞাৰ পৰা অহা যিকোনো বস্তু তেওঁৰ গৃহৰ অৰ্থে
ভক্তিভাৱে ব্যৱহাৰ কৰিব লাগে; কাৰণ তেওঁৰ ক্ৰোধ মোৰ আৰু মোৰ
পুত্ৰসকলৰ ৰাজ্যৰ ওপৰত আনিম? ২৪ আমি তেওঁলোকক জনাইছোঁ
যে, পুৰোহিত, লেবীয়া, বাদ্যকৰ, দুৱৰী, বা মন্দিৰৰ পৰিচৰ্যাৰ বাবে
নিযুক্ত কৰা লোকসকল আৰু ঈশ্বৰৰ গৃহৰ দাসবোৰৰ মাজৰ কাৰো
ওপৰতেই কোনো প্ৰকাৰৰ কৰ-কাটল ধাৰ্য্য কৰা নহ'ব'। ২৫ হে
ইজ্ৰা, আপোনাৰ ঈশ্বৰে আপোনাক দিয়া জ্ঞানেৰে, ঈশ্বৰৰ বিধান জনা

এজনক শাসনকৰ্ত্তা আৰু বিচাৰকৰ্ত্তা নিযুক্ত কৰা উচিত, কাৰণ তেতিয়া
তেওঁ নদীৰ সিপাৰে থকা লোকসকলক সেৱা কৰিব পাৰিব, আৰু যি
সকলে বিধান নাজানে তেওঁলোকক নিশ্চয় শিকোৱাও প্ৰয়োজন। ২৬
যি কোনোৱে ঈশ্বৰৰ বিধান বা ৰজাৰ বিধান সম্পূৰ্ণকৈ পালন নকৰে,
তেওঁক প্ৰাণদণ্ডৰ দ্বাৰাই বা দেশান্তৰ কৰাৰ দ্বাৰাই বা সম্পত্তি আটক
কৰণৰ দ্বাৰাই, বা বন্দী কৰাৰ দ্বাৰাই শাস্তি দিয়া হওক।" ২৭ আমাৰ
পূৰ্বপুৰুষৰ ঈশ্বৰ যিহোৱাৰ প্ৰশংসা হওক; তেওঁ যিৰূচালেমত যিহোৱাৰ
গৃহৰ গৌৰৱান্বিত কৰিবলৈ এই সকলো ৰজাৰ হৃদয়ত ইচ্ছা স্থাপন
কৰিলে, ২৮ আৰু তেৱেঁই ৰজাৰ, তেওঁৰ পৰামৰ্শদাতাসকলৰ, আৰু
তেওঁৰ সকলো পৰাক্ৰমী কৰ্মচাৰীসকলৰ আগত মোক বিশ্বাসীৰূপে
বিস্তৃত কৰিলে। মোৰ ঈশ্বৰ যিহোৱাৰ হাত মোৰ লগত থকা বাবে, মই
বলৱান হৈছোঁ, আৰু মোৰ লগত যাবলৈ ইস্ৰায়েলৰ মাজৰ পৰা মূল
লোকসকলক গোটালোঁ।

৮ ৰজা অৰ্তক্ষত্ৰ ৰাজত্বৰ সময়ত মোৰ সৈতে বাবিল ত্যাগ কৰি যোৱা
লোকসকল এওঁলোক। এওঁলোক তেওঁলোকৰ পূৰ্বপুৰুষসকলৰ পৰিয়াল
সমূহৰ মূখ্য লোক আছিল। ২ পীনহচৰ বংশধৰসকলৰ মাজত গেৰ্চোম:
ঈথামৰৰ বংশধৰসকলৰ মাজত দানিয়েল: দায়ূদৰ বংশধৰসকলৰ
মাজত হত্তূচ। ৩ চখনিয়াৰ আৰু পৰিয়োচৰ বংশধৰসকলৰ মাজত
জখৰিয়া: তেওঁৰ লগত তালিকাত এশ পঞ্চাশ জন পুৰুষ আছিল। ৪
পহৎ-মোৱাবৰ বংশধৰসকলৰ মাজত জৰহীয়াৰ পুত্ৰ ইলীহোঐনয়।
আৰু তেওঁৰ লগত তালিকাত দুশ জন পুৰুষ আছিল। ৫ চখনিয়া
বংশধৰসকলৰ মাজত যহজীয়েল। তেওঁৰ লগত তালিকাত তিনিশ
জন পুৰুষ আছিল। ৬ আদীনৰ বংশধৰসকলৰ মাজত যোনাথনৰ
পুত্ৰ এবদ। তেওঁৰ লগত তালিকাত পঞ্চাশ জন পুৰুষ আছিল। ৭
এলমৰ বংশধৰসকলৰ মাজত অথলিয়াৰ পুত্ৰ যিচয়া। তেওঁৰ লগত
তালিকাত সত্তৰজন পুৰুষ আছিল। ৮ চফটিয়াৰ বংশধৰসকলৰ মাজত
মীখায়েলৰ পুত্ৰ জবদিয়া। তেওঁৰ লগত তালিকাত আশীজন পুৰুষ
আছিল। ৯ যোৱাবৰ বংশধৰসকলৰ মাজত যিহীয়েলৰ পুত্ৰ ওবদিয়া।
তেওঁৰ লগত তালিকাত দুশ ওঠৰ জন পুৰুষ আছিল। ১০ চলোমীতৰ

বংশধৰসকলৰ মাজত যোচিফিয়াৰ পুত্ৰ। তেওঁৰ লগত তালিকাত এশ
ষাঠিজন পুৰুষ আছিল। ১১ বেবয়ৰ বংশধৰসকলৰ মাজত বেবয়ৰ
পুত্ৰ জখৰিয়া। তেওঁ লগত তালিকাত আঠাইশ জন পুৰুষ আছিল।
১২ অজগদৰ বংশধৰসকলৰ মাজত হক্কাটনৰ পুত্ৰ যোহানন। তেওঁৰ
লগত তালিকাত এশ দহ জন পুৰুষ আছিল। ১৩ অদোনীকামৰ পাছত
অহা বংশধৰসকলৰ মাজত কেইজন লোক আছিল। তেওঁলোকৰ
নাম হ'ল: ইলীফেলট, যিয়ুৱেল, আৰু চময়িয়া। তেওঁলোকৰ লগত
ষাঠিজন পুৰুষ আহিছিল। ১৪ বিগবয়ৰ বংশধৰসকলৰ মাজত উথয়
আৰু জুক্কৰ। তেওঁৰ লগত তালিকাত সত্তৰজন পুৰুষ আছিল। ১৫ মই
তেওঁলোকক অহৱালৈ বৈ যোৱা পানীৰ কাষত একত্ৰিত কৰিলোঁ ◌াৰু
আমি তাত তিন দিন ছাউনি পাতি থাকিলোঁ। মই সকলো লোকৰ
লগতে আৰু পুৰোহিতসকলৰ মাজত অনুসন্ধান কৰি চালোঁ, কিন্তু লেবী
বংশৰ কোনো এজনক তাত বিচাৰি নাপালোঁ। ১৬ সেয়ে, ইলীয়েজৰ,
অৰীয়েল, চময়িয়া, ইলনাথন, যাৰীব, ইলনাথন, নাথন, জখৰিয়া,
আৰু মচুল্লম, এই মূখ্য লোকসকলক তেওঁলোকৰ বাবে পঠালোঁ;
যোয়াৰিব আৰু ইলনাথন, এওঁলোক শিক্ষক আছিল, এওঁলোককো
মই তেওঁলোকৰ বাবে পঠালোঁ। ১৭ তাৰ পাছত মই তেওঁলোকক
কচিফিয়াৰ মূখ্যলোক ইদ্দোৰৰ ওচৰলৈ পঠালোঁ। ইদ্দো আৰু তেওঁৰ
সম্পৰ্কীয় লোকসকলক কি ক'ব লাগিব, সেই বিষয়ে মই কৈছিলোঁ যে,
'মন্দিৰৰ যি দাসবোৰ কাচিফিয়াত বসবাস কৰি আছে, তেওঁলোকক
ঈশ্বৰৰ গৃহৰ পৰিচৰ্যাৰ বাবে আমাৰ ওচৰলৈ পঠিয়াই দিয়ক'। ১৮
যিহেতু ঈশ্বৰৰ কৃপাদৃষ্টি আমাৰ ওপৰত আছিল, সেয়ে আমাৰ বাবে
এজন ব্যক্তি পঠাই দিলে, তেওঁৰ নাম চেৰেবিয়া আছিল; তেওঁ এজন
বিচক্ষণ ব্যক্তি আছিল। তেওঁ আছিল মহলীৰ বংশধৰ। মহলী আছিল,
লেবীৰ পুত্ৰ। লেবী আছিল, ইস্ৰায়েলৰ পুত্ৰ। তেওঁ ওঠৰ জন পুত্ৰ
আৰু ভাইসকলক লগত লৈ আহিছিল। ১৯ তেওঁৰ লগত হচবিয়া
আহিছিল। তাতে যিচয়াও আছিল। যিচয়া আছিল মৰাৰীৰ পুত্ৰসকলৰ
মাজৰ এজন, তেওঁৰ লগতে তেওঁৰ পুত্ৰ আৰু ভাইসকলৰ সৈতে
সৰ্বমুঠ বিশজন লোক আহিছিল। ২০ দায়ুদ আৰু তেওঁৰ বিষয়াসকলে

লেবীয়াসকলৰ সেৱকীয় কাৰ্যৰে মন্দিৰত পৰিচৰ্যা কৰিবৰ বাবে
দুশ বিশজন লোকক নিযুক্ত কৰিছিল। তেওঁলোকক নাম অনুসাৰে
নিযুক্ত কৰা হৈছিল। ২১ তাৰ পাছত আমি ঈশ্বৰৰ সন্মূখত নিজকে
নম্ৰ কৰিবৰ বাবে অহবা নদীৰ দাঁতিত উপবাস ঘোষণা কৰিলোঁ,
তাতে আমি আমাৰ সৰু সকলৰ বাবে আৰু আমাৰ সম্পত্তিৰ বাবে
এটা সুবিধাজনক পথ বিচাৰিলো। ২২ শত্ৰুবোৰৰ পৰা আমাক ৰক্ষা
কৰিবলৈ মই আমাৰ লগত সৈন্য বা অশ্বাৰোহী ৰজাক খুজিবলৈ
অত্যন্ত দ্বিধাবোধ কৰিছিলোঁ। আমি ৰজাক কৈছিলোঁ যে, “আমাৰ
ঈশ্বৰে, তেওঁক মঙ্গল খোজা সকলৰ ওপৰত তেওঁৰ হাত থাকে,
কিন্তু তেওঁক ত্যাগ কৰা সকলৰ ওপৰত তেওঁৰ পৰাক্ৰম আৰু ক্ৰোধ
থাকে।” ২৩ সেয়ে আমি উপবাস কৰি, আমাৰ ঈশ্বৰৰ আগত সেই
বিষয়ে প্ৰাৰ্থনা কৰিলোঁ, আৰু তেওঁ আমাৰ প্ৰাৰ্থনা গ্ৰহণ কৰিলে। ২৪
তাৰ পাছত, মই পুৰোহিত কৰ্মচাৰীসকলৰ পৰা বাৰ জন নিৰ্ব্বাচন
কৰিলোঁ: চেৰেবিয়া, হচবিয়া, আৰু তেওঁলোকৰ ভাই সকলৰ মাজত
দহজন। ২৫ ৰজা আৰু তেওঁৰ পৰামৰ্শদাতা, কৰ্মচাৰী আৰু ইস্ৰায়েল
লোকসকলে আমাৰ ঈশ্বৰৰ গৃহৰ অৰ্থে মুক্তভাৱে দিয়া দান, ৰূপ,
সোণ, আৰু সকলো বস্তু জুখি তেওঁলোকক দিলোঁ। ২৬ সেয়ে, ছশ
পঞ্চাশ কিক্কৰ ৰূপ, এশ কিক্কৰ ৰূপৰ বস্তু, এশ কিক্কৰ সোণ, ২৭ এক
হাজাৰ অদৰ্কোন মূল্যৰ বিশ টা সোণৰ বাটি, আৰু পিতলৰ দুটা ভালকৈ
পালিশ কৰা বা নিমজ পাত্ৰ জুখি মই তেওঁলোকক দিলোঁ। ২৮ তাৰ
পাছত, মই তেওঁলোকক ক’লোঁ, “আপোনালোক যিহোৱালৈ উৎসৰ্গ
হওক, আৰু এই বস্তুবোৰো উৎসৰ্গ কৰক। এই ৰূপ আৰু সোণবোৰ
আপোনালোকৰ পূৰ্বপুৰুষৰ ঈশ্বৰ যিহোৱাৰ উদ্দেশ্যে ইচ্ছাকৃতভাৱে
কৰা দান। ২৯ পুৰোহিত কৰ্মচাৰী, লেবীয়া আৰু যিৰূচালেমৰ ইস্ৰায়েল
বংশৰ পূৰ্বপুৰুষৰ মূখ্য লোকসকলৰ আগত ঈশ্বৰৰ গৃহৰ কোঁঠালিত
জুখি নিদিয়ালৈকে এইবোৰ চাই থাকক আৰু সযতনে ৰাখক।” ৩০
পুৰোহিতসকল আৰু লেবীয়াসকলে ৰূপ, সোণ, আৰু বস্তুবোৰো জুখি
গ্ৰহণ কৰি, যিৰূচালেমত আমাৰ ঈশ্বৰৰ গৃহলৈ সেইবোৰ লৈ যাবৰ
বাবে আদেশ দিলে। ৩১ প্ৰথম মাহৰ দ্বাদশ দিনা, আমি যিৰূচালেমলৈ

যাবৰ বাবে অহবা নদীৰ পৰা যাত্ৰা কৰিলোঁ। আমাৰ ওপৰত আমাৰ
ঈশ্বৰৰ হাত থকা বাবে তেওঁ শত্ৰুবোৰৰ ওপৰত আৰু বাটত খাপ
দি থকা ডকাইতসকলৰ হাতৰ পৰা আমাক ৰক্ষা কৰিলে। ৩২ তাৰ
পাছত আমি যিৰূচালেম আহি পালোঁ, তাতে তিন দিন থাকিলোঁ। ৩৩
চতুৰ্থ দিনা সেই ৰূপ, সোণ, আৰু বস্তুবোৰ জুখি আমাৰ ঈশ্বৰৰ গৃহত
উৰিয়াৰ পুত্ৰ মৰেমোৎ পুৰোহিতৰ হাতত গতাই দিলোঁ। তেওঁৰ লগত
পীনহচৰ পুত্ৰ ইলিয়াজৰ আছিল, যেচুৱাৰ পুত্ৰ যোজাবদ আৰু বিন্নইৰ
পুত্ৰ নোৱদিয়া, এওঁলোক লেবীয়া আছিল। ৩৪ সকলোবোৰ গণনা
কৰি আৰু জুখি গতাই দিয়া হ'ল; সেই সময়ত সকলোবোৰ বস্তুৰ জোখ
লিখি থোৱা হ'ল। ৩৫ বন্দীত্বৰ পৰা ঘূৰি অহা দেশান্তৰিত লোকসকলে
ইস্ৰায়েলৰ ঈশ্বৰৰ উদ্দেশ্যে হোম বলি উৎসৰ্গ কৰিলে: ইস্ৰায়েলৰ
বাবে বাৰটা ভতৰা গৰু, ছয়ানৈব্বৈটা মতা ছাগলী, সাতসত্তৰটা মেৰ-
ছাগ পোৱালি, আৰু পাপাৰ্থক বলিৰ বাবে বাৰটা মতা ছাগলী উৎসৰ্গ
কৰিলে। এই সকলোবোৰ যিহোৱাৰ উদ্দেশ্যে দিয়া হোম-বলি। ৩৬
তাৰ পাছত তেওঁলোকে নদীৰ সিপাৰে থকা ৰাজপ্ৰতিনিধি আৰু
ৰজাৰ উচ্চপদত থকা কৰ্মচাৰী সকলক ৰজাৰ আজ্ঞা পত্ৰ দিলে, আৰু
তেওঁলোকে লোকসকলক আৰু ঈশ্বৰৰ গৃহত সহায় কৰিলে।

**৯** সেই সকলো কাৰ্য যেতিয়া সমাপ্ত হ'ল, তেতিয়া কৰ্মচাৰীসকলে
মোৰ ওচৰলৈ আহি ক'লে, "ইস্ৰায়েল লোকসকলে, পুৰোহিতসকলে,
আৰু লেবীয়াসকলে আন দেশীয় ঘিণলগীয়া কাৰ্য ত্যাগ কৰা নাই;
যেনে কনানীয়া, হিত্তীয়া, পৰিজ্জীয়া, যিবুচীয়া, অম্মোনীয়া, মোৱাবীয়া,
মিচৰীয়া, আৰু ইমোৰীয়া লোকসকলৰ অতিশয় ঘিণলগা কাৰ্যৰ পৰা
নিজকে পৃথকে ৰখা নাই। ২ কাৰণ পবিত্ৰ লোকসকলে তেওঁলোকৰ
কিছুমান ল'ৰা-ছোৱালীৰ বিবাহত এনেদৰে আন দেশৰ লোকসকলৰ
সৈতে সম্বন্ধ স্থাপন কৰে। এই অবিশ্বাসী কাৰ্যত কৰ্মচাৰী আৰু মূখ্য
লোকসকলে আগভাগ লয়।" ৩ মই এই কথা শুনি মোৰ কাপোৰ আৰু
চোলা ফালিলোঁ, আৰু মোৰ মূৰৰ চুলি ও দাড়ি ছিঙি যোৱাকৈ টানিলোঁ।
তাৰ পাছত লাজত বহি পৰিলোঁ। ৪ অবিশ্বাসী কাৰ্যৰ বিষয়ে ইস্ৰায়েলৰ
ঈশ্বৰে কোৱা কথাত যিসকল লোক ভয়ত কঁপিছিল তেওঁলোকে মই

গধূলিৰ বলিদানৰ সময়লৈকে বহি থকা ঠাইত গোট খালে। ৫ কিন্তু
গধূলিৰ বলিদানৰ সময়ত, মই লজ্জিত অৱস্থাৰ পৰা ফটা কাপোৰ
আৰু চোলাৰ সৈতে থিয় হৈ মোৰ হাত ওপৰ কৰি ঈশ্বৰ যিহোৱাৰ
আগত আঁঠুকাঢ়িলোঁ। ৬ মই কলোঁ, "হে মোৰ ঈশ্বৰ, মই আপোনাৰ
সন্মুখত মুখ তুলিবলৈ অতি লজ্জিত আৰু দুখিত হৈছোঁ। কিয়নো আমাৰ
অপৰাধবোৰ বৃদ্ধি পাই সীমা চেৰাই গৈছে, আৰু আমাৰ দোষবোৰ
বাঢ়ি গৈ আকাশ স্পৰ্শ কৰিছে। ৭ আমাৰ পুৰ্ব্ব-পুৰুষৰ দিনৰে পৰা
আজি পৰ্য্যন্ত আমি অতিদোষী হৈ আছোঁ। আমাৰ নানা অপৰাধৰ
কাৰণে আমাক, আমাৰ ৰজাসকলক, আৰু আমাৰ পুৰোহিতসকলক
এই পৃথিৱীৰ ৰজাসকলে তেওঁলোকৰ তৰোৱালেৰে বন্দীত্ব লৈ নি
আমাক লুটদ্রব্যৰ দৰে কৰিলে আৰু আমাৰ মূখ বিৱৰ্ণ হ'বলৈ শোধাই
দিলে। ৮ তথাপিও এতিয়া কিছু সময়ৰ কাৰণে, আমাৰ কিছুমান
জীৱিত লোকৰ ওপৰত ঈশ্বৰ যিহোৱাৰ অনুগ্ৰহ অৱস্থিত হ'ল আৰু
তেওঁৰ পবিত্ৰ স্থানত নিৰাপদে আমাৰ ভৰি স্থিৰ কৰিলে। ঈশ্বৰে আমাৰ
চকু দিপ্তিময় কৰা বাবে আৰু আমাক বন্দীত্বৰ পৰা অলপ সকাহ দিয়াৰ
কাৰণে এই সকলো হ'ল। ৯ আমি বন্দী হৈ আছিলোঁ, কিন্তু আমাৰ
ঈশ্বৰে আমাক নাপাহৰিলে, তেওঁ আমাৰ বাবে বিশ্বাসৰ গুৰুত্বপূৰ্ণ
প্রতিশ্রুতি আগবঢ়ালে। আমি ধংস হৈ যোৱা আমাৰ ঈশ্বৰৰ গৃহ যাতে
পুনৰ নিৰ্ম্মাণ কৰিব পাৰোঁ, তাৰ বাবে পাৰস্যৰ ৰজাৰ দৃষ্টিত তেওঁ
আমাক নতুন শক্তি দিলে। তেওঁ এইদৰে কৰিলে, তাতে আমি যিহূদা
আৰু যিৰূচালেমত আমাৰ সুৰক্ষাৰ বাবে দেৱাল দিব পাতিলোঁ। ১০
এতিয়া হে আমাৰ ঈশ্বৰ, ইয়াৰ পাছত আমি কি কব পাৰোঁ? কাৰণ
আমি আপোনাৰ আজ্ঞাবোৰ এতিয়াও পাহৰি আছোঁ। ১১ আপুনি
আপোনাৰ ভাববাদী দাস সকলক আজ্ঞা দি যেতিয়া কৈছিল যে, এই
যি দেশ তোমালোকে অধিকাৰ কৰিবলৈ প্ৰৱেশ কৰিছা, সেইয়া অশুচি
দেশ। তেওঁলোকৰ অশুচি আৰু ঘিণলগা কাৰ্যৰ দ্বাৰাই লোকসকলে
ইমুৰৰ পৰা সিমুৰলৈকে সমগ্ৰ দেশ দূষিত কৰি তুলিছে। ১২ সেয়ে
এতিয়া, তোমালোকৰ ছোৱালীক তেওঁলোকৰ পুত্ৰসকলৰ লগত বিবাহ
নিদিবা, আৰু তেওঁলোকৰ ছোৱালীক তোমালোকৰ পুত্ৰলৈ নানিবা।

আৰু তেওঁলোকৰ মঙ্গল আৰু উন্নতি নিবিচাৰিবা। সেয়ে তোমালোক বলৱন্ত হোৱা আৰু দেশৰ উত্তম বস্তু ভোগ কৰা, আৰু তোমালোকৰ সন্তান সকলে সদাকালৰ বাবে আধিপত্য লাভ কৰিবলৈ এইদৰে কৰা।
১৩ আমাৰ কু-ক্রিয়াবোৰৰ আৰু মহাদোষৰ কাৰণে আমালৈ ঘটা সকলো অমঙ্গলৰ পাছত, আমাৰ ঈশ্বৰ যি আপুনি, আপুনি আমাৰ অপৰাধৰ পাবলগা দণ্ড কম কৰি, আমাক জীৱিত কৰি ৰাখিলে।
১৪ আমি পুনৰ আপোনাৰ আজ্ঞা-লঙ্ঘন কৰিম, আৰু ঘিণলগা কাম কৰা লোকসকলৰ সৈতে বিবাহ কৰিম নে? আমাৰ মাজত অৱশিষ্ট আৰু পলাবলৈ কোনো এজনো নথকাকৈ আপুনি আমাক ক্রোধ আৰু সম্পূর্ণ ধ্বংস নকৰিব নে?
১৫ হে ইস্রায়েলৰ ঈশ্বৰ যিহোৱা, আপুনি ধর্মপৰায়ণ, কাৰণ আজি আমি অতি কম সংখ্যক ৰক্ষা পোৱা লোকহে অৱশিষ্ট আছোঁ। চাওক! আমি আমাৰ দোষেৰে সৈতে আপোনাৰ সাক্ষাতে আছোঁ, ইয়াৰ ফলত আমি কোনেও কোনে এজনো আপোনাৰ সাক্ষাতে থিয় হ'ব নোৱাৰোঁ।"

**১০** এইদৰে ঈশ্বৰৰ গৃহৰ আগত ইজ্রাই চকুলোৰে প্রার্থনা কৰি পাপ স্বীকাৰ কৰিলে। ইস্রায়েলৰ সমবেত হোৱা পুৰুষ, মহিলা, সন্তান সকল আহি তেওঁৰ ওচৰত গোট খালে, কাৰণ লোকসকলে অতিশয়ৰূপে ক্রন্দন কৰিছিল।
২ এলমৰ বংশধৰ যিহীয়েলৰ পুত্র চখনিয়াই ইজ্রাক ক'লে, "আমাৰ ঈশ্বৰৰ বিৰুদ্ধে আমি বিশ্বাসঘাতক কৰি অন্য জাতিৰ লোকসকলৰ পৰা ছোৱালী বিয়া কৰাই বসবাস কৰি আছোঁ। কিন্তু এই বিষয়ত এতিয়াও ইস্রায়েলৰ আশা আছে।
৩ সেয়ে আহক, এতিয়া আমাৰ ঈশ্বৰৰ সৈতে প্রতিজ্ঞাবদ্ধ হওঁ, ঈশ্বৰৰ আজ্ঞা অনুসাৰে আৰু আমাৰ ঈশ্বৰৰ আজ্ঞাত যিসকল কম্পমান হৈছে তেওঁলোকৰ পৰামর্শ অনুসাৰে সকলো মহিলা আৰু তেওঁলোকৰ সন্তান সকলক বাহিৰ কৰি পঠাওঁ, আৰু এই সকলো বিধান অনুযায়ী হওঁক।
৪ উঠক, কাৰণ এই সকলো কার্য আপুনিয়েই কৰি যাব লাগিব, আৰু আমিও আপোনাৰ লগত আছোঁ; সাহিয়াল হওক আৰু এই কার্য কৰক।"
৫ তেতিয়া ইজ্রাই উঠিল আৰু সেই বাক্য অনুসাৰে কৰিবলৈ পুৰোহিত কর্মচাৰী, লেবীয়া, আৰু সকলো ইস্রায়েল লোকসকলক এইদৰে কর্য্য কৰিবলৈ

শপত খুৱালে। ৬ তাৰ পাছত ইজ্ৰাই ঈশ্বৰৰ গৃহৰ পৰা উঠি আহিল
আৰু ইলিয়াচীবৰ পুত্ৰ যিহোহাননৰ কোঁঠালিলৈ গ'ল। যিসকল লোক
বন্দীত্বত আছিল তেওঁলোকে অবিশ্বাসী লোকৰ দৰে কৰা কাৰ্যৰ বাবে
শোক কৰিলে আৰু তেওঁ একো ভোজন-পান নকৰিলে। ৭ সেয়ে
বন্দীত্বৰ পৰা ঘূৰি অহা সকলো লোকক যিৰূচালেমত গোট খাবলৈ
যিহূদা আৰু যিৰূচালেমলৈ তেওঁলোকে বাৰ্ত্তা পঠিয়ালে। ৮ যিসকল
লোক কৰ্মচাৰী আৰু বৃদ্ধসকলৰ পৰামৰ্শ অনুযায়ী তিনি দিনৰ ভিতৰত
নাহে, তেওঁলোকৰ সকলো সম্পত্তি বৰ্জিত কৰা হ'ব, আৰু বন্দীত্বৰ
পৰা অহা লোকসকলৰ সমাজৰ পৰা তেওঁলোকক পৃথক কৰা যাব। ৯
সেয়ে যিহূদাৰ আৰু বিন্যামীনৰ সকলো লোকে তিন দিনৰ ভিতৰত
যিৰূচালেমলৈ আহি গোট খালে। নৱম মাহৰ বিশ দিনৰ দিনা, ঈশ্বৰৰ
গৃহৰ সন্মুখত সকলো লোক থিয় হ'ল। সেই বাক্য আৰু বৰষুণৰ কাৰণে
লোকসকল কঁপিব ধৰিলে। ১০ তেতিয়া পুৰোহিত ইজ্ৰাই থিয় হৈ ক'লে,
"তোমালোকে নিজেই নিজকে বিশ্বাসঘাত কৰিছা, তোমালোকে অন্য
জাতিৰ মহিলাৰ সৈতে বসবাস কৰি, ইস্ৰায়েলৰ দোষ বৃদ্ধি কৰিলা।
১১ এতিয়া তোমালোকৰ পূৰ্বপুৰুষৰ ঈশ্বৰ যিহোৱাৰ গৌৰৱ-প্ৰশংসা
কৰা আৰু তেওঁৰ ইচ্ছা সিদ্ধ কৰা। দেশৰ লোকসকলৰ পৰা আৰু আন
জাতিৰ মহিলাৰ পৰা নিজকে পৃথক কৰা। ১২ গোটেই সমাজে বৰ
মাতেৰে উত্তৰ দি ক'লে, "আপুনি কোৱাৰ দৰেই আমি কৰিম। ১৩
যদিও তাত অনেক লোক আছিল, আৰু বাৰিষা কাল আছিল। বাহিৰত
থিয় হৈ থাকিবলৈ আমাৰ শক্তি নাই, আৰু এইটো এদিন বা দুদিনৰ
কাম নহয়, আমি এই বিষয়ত অতিৰিক্তভাৱে অৱহেলা কৰি আহিছোঁ।
১৪ সেয়ে গোটেই সমাজক আমাৰ কৰ্মচাৰীসকলে প্ৰতিনিধিত্ব কৰক।
আমাৰ ঈশ্বৰৰ প্ৰচণ্ড ক্ৰোধ যেতিয়ালৈকে আমাৰ পৰা দূৰ নহয়,
তেতিয়ালৈকে নগৰৰ বৃদ্ধলোক আৰু বিচাৰকৰ্ত্তাসকলে নিৰূপিত কৰা
সময়ত যি সকলে অন্য জাতিৰ মহিলাক নগৰবোৰত বসবাস কৰিবলৈ
অনুমতি দিছিল, তেওঁলোক আহক।" ১৫ এই প্ৰস্তাব অচাহেলৰ পুত্ৰ
যোনাথন আৰু তিকবাৰ পুত্ৰ যহজিয়াই বিৰোধিতা কৰিলে, আৰু
মচুল্লম আৰু লেবীয়া চবথয়ে তেওঁলোকক সমৰ্থন কৰিলে। ১৬ সেয়ে

বন্দীত্বৰ পৰা অহা লোকসকলে এই কাৰ্য কৰিলে। নিৰ্বাচিত ব্যক্তি ইজ্ৰা
পুৰোহিত, তেওঁলোকৰ বংশৰ জাতি আৰু গৃহত থকা মূখ্য লোকসকল,
তেওঁলোকৰ নাম অনুযায়ী দশম মাহৰ প্ৰথম দিনা সেই বিষয়ে বিচাৰ
কৰিবলৈ বহিল। ১৭ প্ৰথম মাহৰ প্ৰথম দিনা তেওঁলোকে অন্য জাতিৰ
মহিলাৰ সৈতে বসবাস কৰা লোকসকলৰ বিষয়ে অনুসন্ধান কৰি শেষ
কৰিলে। ১৮ পুৰোহিতসকলৰ বংশৰ মাজত যি সকলে অন্য জাতিৰ
মহিলাৰ সৈতে বসবাস কৰিছিল, তেওঁলোকৰ নাম হ'ল: যোচাদকৰ
পুত্ৰ যেচুৱা আৰু তেওঁৰ ভায়েকসকলৰ মাজত মাচেয়া, ইলীয়েজৰ,
যাৰীব, আৰু গদলিয়া। ১৯ সেই কাৰণে তেওঁলোকে নিজৰ ভাৰ্যাক
পঠিয়াবলৈ প্ৰতিজ্ঞাবদ্ধ হ'ল। তেওঁলোক দোষৰ বাবে জাকৰ পৰা এটা
মতা মেৰ-ছাগ বলিদান কৰিলে। ২০ ইম্মেৰৰ বংশধৰসকলৰ মাজত
হনানী আৰু জবদিয়া। ২১ হাৰীমৰ বংশধৰসকলৰ মাজত মাচেয়া,
এলিয়া, চময়িয়া, যিহীয়েল, আৰু উজ্জিয়া। ২২ পচহুৰৰ বংশধৰসকলৰ
মাজত ইলীয়োঐনয়, মাচেয়া, ইশ্মায়েল, নথনেল, যোজাবদ, আৰু
ইলিয়াচা। ২৩ লেবীয়াসকলৰ মাজত যোজাবদ, চিমিয়ী, কলায়া,
তেওঁলোক কলীটা, পথহিয়া, যিহূদা আৰু ইলীয়েজৰ। ২৪ গায়ক
সকলৰ মাজত ইলীয়াচিব। দুৱৰীসকলৰ মাজত চল্লুম, টেলম আৰু
উৰী। ২৫ ইস্রায়েলৰ অৱশিষ্ট লোক পৰিয়োচৰ বংশধৰসকলৰ মাজত
ৰমিয়া, যিজ্জিয়া, মল্কিয়া, মিয়ামীন, ইলিয়াজৰ, মাল্কিয়া আৰু বনায়া।
২৬ এলমৰ বংশধৰসকলৰ মাজত মত্তনীয়া, জখৰিয়া, যিহীয়েল,
অব্দী, যিৰেমোৎ, আৰু এলিয়া। ২৭ জত্তুৰ বংশধৰসকলৰ মাজত
ইলিয়োঐনয়, ইলীয়াচিব, মত্তনীয়া, যিৰেমোৎ, জাবদ, আৰু অজীজা।
২৮ বেবয়ৰ বংশধৰসকলৰ মাজত যিহোহানন, হননিয়া, জব্বয়, আৰু
অথলয়। ২৯ বাণীৰ বংশধৰসকলৰ মাজত মচুল্লম, মল্লুক, অদায়া,
যাচূব, আৰু চাল যিৰেমোৎ। ৩০ পহৎ-মোৱাবৰ বংশধৰসকলৰ
মাজত অদনা, কলাল, বনায়া, মাচেয়া, মত্তনীয়া, বচলেল, বিন্নূই,
আৰু মনচি। ৩১ হাৰীমৰ বংশধৰসকলৰ মাজত ইলীয়েজৰ, যিচিয়া,
মল্কিয়া, চময়িয়া, চিমিয়োন, ৩২ বিন্যামীন, মল্লূক, আৰু চমৰিয়া। ৩৩
হাচুমৰ বংশধৰসকলৰ মাজত মত্তনয়, মত্ততা, জাবদ, ইলীফেলট,

যিৰেময়, মনচি আৰু চিমিয়ী। ৩৪ বাণীৰ বংশধৰসকলৰ মাজত মাদয়, অম্ৰম, ঊৱেল, ৩৫ বনায়া, বেদিয়া, কলূহী, ৩৬ বনিয়া, মৰেমোৎ, ইলীয়াচিব, ৩৭ মত্তনীয়া, মত্তনয়, যাচু, ৩৮ বাণী, বিন্নূই, চিমিয়ী, ৩৯ চেলেমিয়া, নাথন, অদায়া, ৪০ মকনদবয়, চাচয়, চাৰয়, ৪১ অজৰেল, চেলেমিয়া, চমৰিয়া, ৪২ চল্লুম, অমৰিয়া, যোচেফ, ৪৩ আৰু নবোৰ বংশধৰসকলৰ মাজত যিয়ীয়েল, মিত্তিথিয়া, জাবদ, জবীনা, ইদ্দো, যোৱেল, আৰু বনায়া। ৪৪ এই সকলো লোকৰ অন্য জাতিৰ মহিলা ভাৰ্যা আৰু তেওঁলোকৰ কিছুমানৰ সন্তান আছিল।

# নেহেমিয়া

১ হখলিয়াৰ পুত্ৰ নহিমিয়াৰ কথা: বিশ বছৰৰ কিচ্লেব মাহত মই চুচন
নগৰৰ দুৰ্গত থাকোঁতে, এইদৰে হৈছিল। ২ তেতিয়া হনানী নামৰ
মোৰ এজন ভাই যিহূদাৰ পৰা কিছুমান লোকৰ সৈতে আহিছিল।
মই তেওঁলোকক বন্দীত্বৰ পৰা ৰক্ষা পোৱা ইহুদী লোকসকলৰ
উপৰিও যিসকল ইহুদী লোক তাত আছিল, সেই সকলৰ বিষয়ে আৰু
যিৰূচালেম চহৰৰ বিষয়ে সুধিছিলো। ৩ তেতিয়া তেওঁলোকে মোক
ক'লে, "বন্দীত্বৰ পৰা ৰক্ষা পোৱা লোকসকল সমস্যা আৰু অপমানেৰে
জৰ্জৰিত হৈ আছে। কিয়নো যিৰূচালেমৰ দেৱাল ভাঙি মুকলি হৈ আছে
আৰু দুৱাৰবোৰ জুইৰে পোৰা হৈছে।" ৪ এই কথা শুনাৰ লগে লগে,
মই বহি ক্ৰন্দন কৰিলোঁ, আৰু মই কিছুদিন শোক কৰি লঘোন দি স্বৰ্গৰ
ঈশ্বৰৰ আগত প্ৰাৰ্থনা কৰিলোঁ। ৫ মই কলোঁ, "হে যিহোৱা, আপুনি
স্বৰ্গৰ ঈশ্বৰ, আপুনি মহান আৰু ঐশ্বৰ্য্যৱান, আপোনাক প্ৰেম কৰোঁতা
আৰু আপোনাৰ আজ্ঞা পালন কৰোঁতা সকললৈ আপোনাৰ নিয়ম আৰু
দয়া কেনে মহান। ৬ আপোনাৰ দাস ইস্ৰায়েলী লোকসকলৰ অৰ্থে
মই আপোনাৰ আগত দিনে-ৰাতিয়ে কৰা প্ৰাৰ্থনা শুনক আৰু মোলৈ
দৃষ্টি কৰক। আমি আপোনাৰ বিৰুদ্ধে যি পাপ কৰিলোঁ, এনে কি মই,
আৰু মোৰ পিতৃ পৰিয়ালেও যি পাপ কৰিলে, তাৰ বাবে মই ইস্ৰায়েলী
লোকসকলৰ হৈ পাপ স্বীকাৰ কৰিছোঁ। ৭ আমি আপোনাৰ বিৰুদ্ধে
বহুতো পাপ কৰ্ম কৰিলোঁ, আৰু আপুনি আপোনাৰ দাস মোচিক দিয়া
আজ্ঞা, বিধি, আৰু শাসন প্ৰণালীবোৰ পালন নকৰিলোঁ। ৮ বিনয় কৰোঁ,
আপুনি আপোনাৰ দাস মোচিক আজ্ঞা কৰা বাক্য সোঁৱৰণ কৰক।
আপুনি মোচিক কৈছিল, "যদি তোমালোকে অবিশ্বাসীৰ দৰে কাৰ্য
কৰা, মই তোমালোকক দেশৰ মাজত ছিন্ন-ভিন্ন কৰিম, ৯ কিন্তু যদি
তোমালোকে মোলৈ ঘুৰি আহাঁ, আৰু মোৰ আজ্ঞা পালন কৰি সেই মতে
কাৰ্য কৰা, তেন্তে তোমালোকৰ লোকসকল আকাশৰ অন্তভাগত ছিন্ন-
ভিন্ন হৈ থাকিলেও, মই তাৰ পৰা তেওঁলোকক আনি একগোট কৰিম,
আৰু মোৰ নাম চিৰস্থায়ী কৰিবৰ অৰ্থে মই মনোনীত কৰা ঠাইলৈ
তেওঁলোকক ঘূৰাই আনিম'। ১০ তেওঁলোকেই আপোনাৰ দাস আৰু

প্ৰজা, যাক আপুনি আপোনাৰ মহা পৰাক্ৰম আৰু বলৱান হাতেৰে মুক্ত
কৰিলে। ১১ হে যিহোৱা, বিনয় কৰোঁ, আপোনাৰ এই দাসৰ প্ৰাৰ্থনা
শুনক, আৰু যিসকলে আপোনাৰ নাম গৌৰৱান্বিত কৰি আনন্দিত হয়,
তেওঁলোকৰো প্ৰাৰ্থনা শুনক। বিনয় কৰোঁ, আজি আপোনাৰ এই দাসক
কৃতকাৰ্য হ'বলৈ দিয়ক, আৰু এই ব্যক্তিৰ সাক্ষাতে তেওঁক অনুগ্ৰহ দান
কৰক।" মই ৰজাৰ পান-পাত্ৰ ধৰোঁতাৰূপে সেৱা কৰিছিলোঁ।

২ ৰজা অৰ্তক্ষত্ৰৰ ৰাজত্বৰ বিশ বছৰৰ নীচান মাহত, তেওঁ দ্ৰাক্ষাৰস
বাছি ল'লে, আৰু মই সেই দ্ৰাক্ষাৰস লৈ ৰজাক দিলোঁ। তাৰ আগেয়ে
মই ৰজাৰ আগত কেতিয়াও মুখ মলিন কৰা নাই। ২ কিন্তু ৰজাই মোক
ক'লে, "তোমাৰ মুখ কিয় মলিন হৈছে? তোমাক অসুখীয়া যেন লগা
নাই জানো। নিশ্চয় এয়া আন্তৰিক বেদনা।" তেতিয়া মোৰ অতিশয়
ভয় লাগিল। ৩ মই ৰজাক ক'লোঁ, "মহাৰাজ চিৰজীৱি হওক! মোৰ মুখ
কিয় মলিন নহ'ব? যিহেতু মোৰ পিতৃসকলৰ মৈদামৰ ঠাই উছন্ন কৰা
হ'ল আৰু সেই ঠাইৰ দুৱাৰবোৰ জুইৰে পুৰি ধ্বংস কৰা হ'ল। ৪ তেতিয়া
ৰজাই মোক ক'লে, "মই কি কৰাটো তুমি বিচাৰিছা?" সেয়ে মই স্বৰ্গৰ
ঈশ্বৰৰ আগত প্ৰাৰ্থনা কৰিলোঁ। ৫ মই ৰজাক উত্তৰ দি কলোঁ, "যদি
মহাৰাজে ভাল দেখে, আৰু আপোনাৰ এই দাসে যদি আপোনাৰ দৃষ্টিত
অনুগ্ৰহ পাওঁ, তেন্তে আপুনি মোক মোৰ পিতৃসকলৰ মৈদামৰ নগৰ
যিহূদালৈ পঠিয়াই দিয়ক, মই তাক পুনৰাই সাজিম।" ৬ ৰজাই মোক
উত্তৰ দিলে, (আৰু তেওঁৰ ৰাণীও তেওঁৰ কাষত বহি আছিল), "তুমি
কিমান দিনৰ বাবে যাবা আৰু কেতিয়া উভতি আহিবা?" মই যেতিয়া
তেওঁক নিৰূপিত সময়ৰ কথা দিলোঁ, তেতিয়া ৰজাই আনন্দেৰে মোক
পঠিয়াই দিলে। ৭ তাৰ পাছত মই ৰজাক ক'লোঁ, "যদি ৰজা এই কথাত
সন্তোষ পাইছে, তেনেহলে নদীৰ সিপাৰে থকা দেশাধ্যক্ষসকলৰ বাবে
লিখা চিঠি মোক দিব পাৰে, যাতে যিহূদালৈ যাওঁতে তেওঁলোকৰ দেশ
পাৰ হ'বলৈ তেওঁলোকে মোক অনুমতি দিয়ে। ৮ ৰজাৰ বনাঞ্চল
ৰখীয়া আচফলৈও এখন চিঠি দিব পাৰে, যাতে মন্দিৰৰ কাষত থকা
দুৰ্গৰ দুৱাৰৰ চৌকাঠ, নগৰৰ দেৱাল, আৰু যি গৃহত মই থাকিম সেই
সকলোৰ বাবে তেওঁ মোক যেন কাঠ দিয়ে।" মোৰ ওপৰত ঈশ্বৰৰ

মঙ্গলময় হাত থকাত, ৰজাই মোৰ অনুৰোধবোৰ গ্ৰহণ কৰিলে। ৯
মই নদীৰ সিপাৰে থকা দেশাধ্যক্ষসকলৰ ওচৰলৈ আহিলোঁ আৰু
ৰজাৰ পত্ৰবোৰ তেওঁলোকক দিলোঁ। ৰজাই মোৰ লগত সৈন্য সমূহৰ
কৰ্মচাৰী আৰু অশ্বাৰোহী পঠাইছিল। ১০ ইস্ৰায়েলৰ লোকসকলক সহায়
কৰিবলৈ কোনো এজন ব্যক্তি আহি থকা কথা যেতিয়া, হোৰোণীয়া
চনবল্লট আৰু অম্মোনীয়া টোবিয়া দাসে শুনিলে, তেতিয়া তেওঁলোকে
অতিশয় বেজাৰ পালে। ১১ মই যিৰূচালেমলৈ আহিলোঁ, আৰু তাত
তিনি দিন থাকিলোঁ। ১২ মই ৰাতিয়ে উঠিলো, তাতে মই আৰু কেইজন
মান পুৰুষ মোৰ সৈতে আছিল। যিৰূচালেমৰ অৰ্থে যি কৰিবলৈ মোৰ
ঈশ্বৰে মোৰ মনত উদগণি দিলে, সেই কথা মই কাৰো আগত নক'লোঁ।
মই উঠি অহা জন্তুটোৰ বাহিৰে আন কোনো জন্তু মোৰ লগত নাছিল।
১৩ মই ৰাতিতে উপত্যকাৰ দুৱাৰেদি বাহিৰ ওলাই গৈ, যিৰূচালেমৰ
ভগা দেৱাল আৰু জুয়ে পোৰা দুৱাৰবোৰ পৰীক্ষণ কৰি নাগ নাদ আৰু
গোবৰ-দুৱাৰলৈকে গ'লোঁ। ১৪ তাৰ পাছত মই ভুমুক-দুৱাৰ আৰু
ৰজাৰ পুখুৰীলৈকে গ'লোঁ। মই উঠি যোৱা জন্তুটো যাবৰ বাবে সেই
ঠাই অতি ঠেক আছিল। ১৫ সেয়ে মই ৰাতি উপত্যকায়েদি ওপৰলৈ
উঠি গৈ দেৱাল চালোঁ, আৰু উপত্যকাৰ দুৱাৰেদি সোমাই মই উভতি
আহিলোঁ। ১৬ মই ক'লৈ গৈছিলোঁ, আৰু কি কৰিলোঁ, সেই বিষয়ে
শাসনকৰ্ত্তাসকলে জনা নাছিল। তেতিয়ালৈকে মই যিহুদীসকলক, বা
পুৰোহিতসকলক, বা প্ৰধান লোকসকলক, বা শাসনকৰ্ত্তাসকলক,
বা অৱশিষ্ট যিসকল লোকে কাম কৰিছিল, তেওঁলোককো একো
কোৱা নাছিলোঁ। ১৭ মই তেওঁলোকক ক'লো, "আমি কেনে দুৰৱস্থাত
আছোঁ, যিৰূচালেম কেনেকৈ উচ্ছন্ন হৈ পৰি আছে, আৰু তাৰ দুৱাৰবোৰ
কেনেকৈ জুয়ে পুৰিলে, সেইবোৰ আপোনালোকে দেখিছে। আহক,
আমি যিৰূচালেমৰ দেৱাল পুনৰ নিৰ্মাণ কৰোঁ, তেতিয়া আমি পুনৰ
অপমানিত হ'বলৈ কোনো কাৰণ নাথাকিব।" ১৮ মই তেওঁলোকক
ইয়াকো ক'লো যে, "ঈশ্বৰৰ মঙ্গলময় হাত মোৰ ওপৰত আছে;" আৰু
ৰজাই মোক যি কথা কৈছিল, সেই কথাও তেওঁলোকক জনালোঁ।
তেওঁলোকে ক'লে, "আহক আমি নিৰ্ম্মাণ কাৰ্যৰ বাবে সাজোঁ হওঁহক।"

সেয়ে তেওঁলোকে সেই উত্তম কাৰ্যৰ অৰ্থে নিজৰ হাত সবল কৰিলে।
১৯ কিন্তু হোৰোণীয়া চনবল্লট, অম্মোনীয়া টোবিয়া দাস আৰু আৰবীয়া
গেচমে এই কথা শুনি আমাক উপহাস কৰিলে; আৰু আমাক হেয়জ্ঞান
কৰি ক'লে, "তোমালোকে কি কৰি আছা? তোমালোকে ৰজাৰ বিৰুদ্ধে
বিদ্ৰোহ কৰিছা নে?" ২০ তেতিয়া মই তেওঁলোকক উত্তৰ দি ক'লো,
"স্বৰ্গৰ ঈশ্বৰেই আমাক কৃতকাৰ্য কৰিব। আমি তেওঁৰ দাস আৰু আমি
নিৰ্ম্মাণ কাৰ্য কৰিম। কিন্তু যিৰূচালেমত তোমালোকৰ ভাগ কি অধিকাৰ
নাই আৰু যিৰূচালেমত ইতিহাসতো তোমালোকৰ কোনো স্বত্ব নাছিল।

৩ প্ৰধান পুৰোহিত ইলিয়াচীব আৰু তেওঁৰ পুৰোহিত ভাইসকলে
উঠি মেৰ-ছাগদুৱাৰ সাজিলে। তেওঁলোকে দুৱাৰবোৰ পবিত্ৰ কৰি
উৎসৰ্গ কৰিলে আৰু তাক যথাস্থানত লগালে। এইদৰে তেওঁলোকে
এশ টা স্তম্ভ আৰু হননেলৰ স্তম্ভ পবিত্ৰকৃত কৰিলে। ২ তেওঁৰ
পাছত যিৰীহোৰ লোকসকলে কাম কৰিলে, আৰু তেওঁলোকৰ পাছত
ইম্ৰীৰ পুত্ৰ জুক্কুৰে কাম কৰিলে। ৩ হচচানাৱাৰ পুত্ৰসকলে মৎস্য-
দুৱাৰ সাজিলে। তেওঁলোকে দুৱাৰত চৌকাঠ লগালে, আৰু দুৱাৰত
শলখা ও ডাং লগালে। ৪ মৰেমোতে তাৰ পাছৰ অংশ মেৰামতি
কৰিলে। তেওঁ উৰিয়াৰ পুত্ৰ আছিল আৰু উৰিয়া হক্কোচৰ পুত্ৰ আছিল।
তেওঁলোকৰ পাছত মচুল্লমে মেৰামতি কৰিলে। তেওঁ বেৰেখিয়াৰ পুত্ৰ
আৰু বেৰেখিয়া মচেজবেলৰ পুত্ৰ আছিল। তেওঁৰ পাছত চাদোকে
মেৰামতি কৰিলে। তেওঁ বানাৰ পুত্ৰ। ৫ তেওঁলোকৰ পাছত তকোৱা
লোকসকলে মেৰামতি কৰিলে, কিন্তু তেওঁলোকৰ তদাৰক কৰোঁতা
জনৰ আদেশ তেওঁলোকৰ মূখ্য লোকসকলে অমান্য কৰিলে। ৬ পচেহৰ
পুত্ৰ যোয়াদা, আৰু বচোদিয়াৰ পুত্ৰ মচুল্লমে পুৰণি দুৱাৰ মেৰামতি
কৰিলে। তেওঁলোকে চৌকাঠ লগাই তাত দুৱাৰখন লগালে, আৰু শলখা
ও ডাং লগালে। ৭ তেওঁলোকৰ পাছত গিবিয়োনীয়াৰ মলটিয়াৰ লগত
মেৰোনোথীয়াৰ যাদোনে মেৰামতি কৰিলে। তেওঁলোক গিবিয়োন আৰু
মিস্পাৰ মূখ্য লোক আছিল। নদীৰ সিপাৰে থকা যি প্ৰদেশত দেশাধ্যক্ষ
আছিল, সেই খনেই মিস্পা নগৰ। ৮ তেওঁৰ পাছত সোণাৰীসকলৰ
এজন হৰ্হয়াৰ পুত্ৰ উজ্জীয়েলে মেৰামতি কৰিলে, আৰু তেওঁৰ পাছত

গন্ধৰস প্ৰস্তুত কৰোঁতা হননিয়াই মেৰামতি কৰিলে। তেওঁলোকে
বহল দেৱাললৈকে যিৰূচালেম পুনৰ সাজিলে। ৯ তেওঁলোকৰ পাছত
হূৰৰ পুত্ৰ ৰফায়াই মেৰামতি কৰিলে। তেওঁ যিৰূচালেম জিলাৰ আধা
অংশত শাসন কৰিছিল। ১০ তেওঁলোকৰ পাছত হৰূমফৰ পুত্ৰ যদায়াই
নিজৰ ঘৰৰ ওচৰৰ দেৱালৰ অংশ মেৰামতি কৰিলে। তেওঁৰ পাছত
হচবনিয়াৰ পুত্ৰ হত্তুচ মেৰামতি কৰিলে। ১১ হাৰীমৰ পুত্ৰ মল্কিয়া
আৰু পহৎ-মোৱাবৰ পুত্ৰ হচুবে আন এটা অংশৰ সৈতে তন্দুৰৰ
স্তম্ভ মেৰামতি কৰিলে। ১২ তেওঁৰ পাছত যিৰূচালেম জিলাৰ আধা
অংশৰ শাসনকৰ্তা হল্লোহেচৰ পুত্ৰ চল্লুমৰ সৈতে তেওঁৰ জীয়েকসকলে
মেৰামতি কৰিলে। ১৩ হানুন আৰু জানোহৰ নিবাসীসকলে উপত্যকাৰ
দুৱাৰ মেৰামতি কৰিলে। তেওঁলোকে তাক সাজি, তাত দুৱাৰ লগালে,
আৰু দুৱাৰত শলখা ও ডাং লগালে। তেওঁলোকে গোবৰ-দুৱাৰলৈকে
এক হাজাৰ হাত মেৰামতি কৰিলে। ১৪ বৈৎহক্কেৰম জিলাৰ শাসনকৰ্তা
ৰেখবৰ পুত্ৰ মল্কিয়াই গোবৰ-দুৱাৰ মেৰামতি কৰিলে। তেওঁ তাক
সাজিলে আৰু তাত দুৱাৰ, শলখা আৰু ডাং লগালে। ১৫ মিস্পা জিলাৰ
শাসনকৰ্তা কল-হোজিৰ পুত্ৰ চল্লুনে ভুমুক-দুৱাৰ পুনৰ সাজিলে।
তেওঁ তাক সাজি তাৰ ওপৰত ঢাকনি দিলে, আৰু তাত দুৱাৰ, শলখা
আৰু ডাং লগালে। তেওঁ যি খটখটিয়েদি দায়ূদৰ নগৰৰ পৰা নামি
আহে, তাৰ পৰা ৰজাৰ বাৰীৰ ওচৰত থকা চেলোহ পুখুৰীলৈকে
দেৱাল সাজিলে। ১৬ বৈৎ-চুৰ জিলাৰ আধা অংশত শাসন কৰা
অজবুকৰ পুত্ৰ নহিমিয়াই দায়ূদৰ মৈদামবোৰৰ ঠাইৰ পৰা, মানুহে
খনা পুখুৰীলৈকে, আৰু বীৰপুৰুষ সকলৰ ঘৰলৈকে মেৰামতি কৰিলে।
১৭ তেওঁৰ পাছত লেবীয়াসকলৰ সৈতে বানীৰ পুত্ৰ ৰহূমে মেৰামতি
কৰিলে। তেওঁৰ পাছত কয়ীলা জিলাৰ আধা অংশৰ শাসনকৰ্তা
হচবিয়াই নিজৰ জিলাৰ অৰ্থে মেৰামতি কৰিলে। ১৮ তেওঁৰ পাছত
তেওঁলোকৰ দেশীয় লোকসকলৰ সৈতে কয়ীলা জিলাৰ আধা অংশৰ
শাসনকৰ্তা হেনাদদৰ পুত্ৰ বব্বয়ে মেৰামতি কৰিলে। ১৯ তেওঁৰ পাছত
মিস্পাৰ শাসনকৰ্তা যেচুৱাৰ পুত্ৰ এজৰে অস্ত্ৰ-গৃহৰ বিপৰীতে উঠি
যোৱা বাটৰ আন এটা অংশৰ দেৱালৰ বাহিৰ ফালে দিয়া আলমৰ

মেৰামতি কৰিলে। ২০ তেওঁৰ পাছত জক্কয়ৰ পুত্ৰ বাৰূকে অতি আগ্ৰহেৰে আলমৰ পৰা প্ৰধান পুৰোহিত ইলিয়াচীবৰ ঘৰৰ দুৱাৰলৈকে এটা অংশ মেৰামতি কৰিলে। ২১ তেওঁৰ পাছত মৰেমোতে, যিজন উৰিয়াৰ পুত্ৰ আছিল, আৰু উৰিয়া হক্কোচৰ পুত্ৰ। সেই মৰেমোতে ইলিয়াচীবৰ ঘৰৰ দুৱাৰৰ পৰা ইলিয়াচীবৰ ঘৰৰ শেষলৈকে এটা অংশ মেৰামতি কৰিলে। ২২ তেওঁৰ পাছত যিৰূচালেমৰ চাৰিও সীমাৰ পৰা অহা লোকসকল আৰু পুৰোহিতসকলে মেৰামতি কৰিলে। ২৩ তেওঁলোকৰ পাছত বিন্যামীন আৰু হচুবে নিজৰ ঘৰৰ বিপৰীতে মেৰামতি কৰিলে। তেওঁলোকৰ পাছত অণিয়াৰ পুত্ৰ মাচেয়া, মাচেয়াৰ পুত্ৰ অজৰিয়াই নিজৰ ঘৰৰ ওচৰত মেৰামতি কৰিলে। ২৪ তেওঁৰ পাছত হেনাদদৰ পুত্ৰ বিন্নুয়ে অজৰিয়াৰ ঘৰৰ পৰা আলমলৈকে এটা অংশ মেৰামতি কৰিলে। ২৫ উজয়ৰ পুত্ৰ পাললে আলমৰ বিপৰীতে ওপৰ ফালে ৰজাৰ গৃহৰ পৰা স্তম্ভৰ প্ৰহৰীৰ চোতাললৈকে মেৰামতি কৰিলে। তেওঁৰ পাছত পৰিয়োচৰ পুত্ৰ পদায়াই মেৰামতি কৰিলে। ২৬ তাৰ পাছত ওফেলত থকা মন্দিৰৰ দাসবোৰে পুব-দিশে জল-দুৱাৰৰ বিপৰীতে থকা প্ৰকল্পৰ স্তম্ভলৈকে মেৰামতি কৰিলে। ২৭ তেওঁৰ পাছত তকোৱাৰ লোকসকলে বাহিৰ ফালে থকা বৃহৎ স্তম্ভৰ বিপৰীতে ওফেলৰ দেৱাললৈকে আন এটা অংশ মেৰামতি কৰিলে। ২৮ অশ্ব-দুৱাৰৰ ওপৰ ফালৰ পৰা প্ৰতিজন পুৰোহিতে নিজৰ নিজৰ ঘৰৰ বিপৰীতে মেৰামতি কৰিলে। ২৯ তেওঁলোকৰ পাছত ইম্মেৰৰ পুত্ৰ চাদোকে নিজৰ ঘৰৰ বিপৰীতে থকা এটা অংশ মেৰামতি কৰিলে। তেওঁৰ পাছত পূব দুৱাৰৰ ৰখীয়া চখনিয়াৰ পুত্ৰ চময়িয়াই মেৰামতি কৰিলে। ৩০ তেওঁৰ পাছত চেলেমিয়াৰ পুত্ৰ হননিয়া আৰু চালফৰ ষষ্ঠ পুত্ৰ হানুনে আন এটা অংশ মেৰামতি কৰিলে। তেওঁৰ পাছত বেৰেখিয়াৰ পুত্ৰ মচুল্লমে নিজৰ কোঁঠালিৰ বিপৰীতে মেৰামতি কৰিলে। ৩১ তেওঁৰ পাছত সোণাৰী মল্কিয়াই মন্দিৰৰ দাস সকলৰ আৰু বণিকসকলৰ সাক্ষাত কৰা দুৱাৰৰ বিপৰীতে, চুকৰফালে ওপৰত থকা কোঁঠালৈকে মেৰামতি কৰিলে। ৩২ চুকৰফালে থকা ওপৰৰ

কোঁঠা আৰু মেৰ-ছাগদুৱাৰৰ মাজৰ অংশ সোণাৰী আৰু বণিকসকলে
মেৰামতি কৰিলে।

**4** তাৰ পাছত চনবল্লটে যেতিয়া আমি দেৱাল নিৰ্ম্মাণ কৰাৰ কথা
শুনিলে তেতিয়া তেওঁ ক্ৰোধত প্ৰজ্বলিত হৈ যিহুদীসকলক বিদ্ৰূপ
কৰিলে। ২ চমৰিয়া সৈন্যৰ আৰু তেওঁৰ ভাইসকলৰ উপস্থিতিত তেওঁ
ক'লে, "সেই দুৰ্ব্বল যিহুদীসকলে কি কৰি আছে? তেওঁলোকে নিজৰ
বাবে পুনৰ নগৰ প্ৰতিষ্ঠা কৰিব নে? তেওঁলোকে বলিদান কৰিব নে?
তেওঁলোকে একেদিনাই সেই কাম শেষ কৰিব নে? পোৰা ভগ্নস্তূপৰ
তেওঁলোকে শিলবোৰক জীৱন্ত কৰিব নে?" ৩ তেতিয়া তেওঁৰ সৈতে
অম্মোনীয়া টোবিয়া আছিল আৰু তেওঁ ক'লে, "তেওঁলোকে যি দেৱাল
সাজিছে, তাৰ ওপৰত যদি এটা শিয়ালো উঠে, তেন্তে তেওঁলোকৰ
সেই শিলাময় দেৱাল ভাঙি পৰিব!" ৪ হে আমাৰ ঈশ্বৰ শুনা, কিয়নো
আমি ঘৃণিত হৈছোঁ। তেওঁলোকৰ উপহাস তেওঁলোকলৰ ওপৰতে
পৰক আৰু তেওঁলোক যি দেশত বন্দিত্বত আছিল, তাত লুট কৰি নিয়া
বস্তুৰ দৰে থাকিবলৈ দিয়ক। ৫ তেওঁলোকৰ অপৰাধ ঢাকি নাৰাখিব
আৰু তেওঁলোকৰ পাপ আপোনাৰ আগৰ পৰা মচি নেপেলাব, কিয়নো
তেওঁলোকে দেৱাল সজা সকলৰ খং উঠাবলৈ উত্তেজিত কৰিছে। ৬
সেয়ে আমি দেৱাল সাজিলোঁ, আৰু লোকসকলে আগ্ৰহৰে দেৱালবোৰ
যোৰা লগাই দেৱালৰ উচ্চতাৰ আধালৈকে মেৰামতি কৰিলে। ৭
যিৰূচালেমৰ দেৱাল মেৰামত কৰা কাম চলি আছে, আৰু তাৰ ভগা
ঠাইবোৰ বন্ধ কৰিবলৈ আৰম্ভ কৰা হৈছে, ইয়াকে শুনি চনবল্লট আৰু
টোবিয়াই, আৰু আৰবীয়া, অম্মোনীয়া, আৰু অচ্‌দোদীয়াৰ লোকসকল
অতিশয় ক্ৰোধান্বিত হ'ল। ৮ তেওঁলোকে যিৰূচালেমৰ বিৰুদ্ধে যুদ্ধ
আৰু তাত বিসংগতিৰ সৃষ্টি কৰিবলৈ সকলোৱে একগোট হৈ চক্ৰান্ত
কৰিলে। ৯ কিন্তু আমি আমাৰ ঈশ্বৰৰ আগত প্ৰাৰ্থনা কৰিলোঁ আৰু
তেওঁলোকৰ ভাবুকিৰ পৰা ৰক্ষা পাবলৈ তেওঁলোকৰ বিৰুদ্ধে দিনে
ৰাতিয়ে প্ৰহৰী নিযুক্ত কৰিলোঁ। ১০ তাৰ পাছত যিহূদাৰ লোকসকলে
ক'লে, "তাত বহুতো ভগ্নস্তূপ আছে আৰু ভাৰ বোৱাসকলৰ শক্তি হ্ৰাস
পোৱা কাৰণে আমি পুনৰ দেৱাল সাজিবলৈ অক্ষম হৈছোঁ।" ১১ আমাৰ

শত্রুবোৰে ক'লে, “আমি তেওঁলোকৰ মাজত সোমাই তেওঁলোকক বধ
কৰি কাম বন্ধ নকৰালৈকে তেওঁলোকে নাজানিব আৰু নেদেখিবও।”
১২ সেই সময়ত তেওঁলোকৰ ওচৰত থকা যিহুদীসকলে সকলো
দিশৰ পৰা আহি তেওঁলোকে আমাৰ বিৰুদ্ধে কৰা আঁচনিৰ বিষয়ে
আমাক দহবাৰলৈকে সতৰ্ক কৰি ক'লে। ১৩ সেয়ে মই দেৱালৰ
তলভাগৰ মুকলি অংশত স্থিতি ললোঁ। মই প্ৰতি পৰিয়ালক নিজৰ
নিজৰ স্থান দিলোঁ। তেওঁলোকৰ তৰোৱাল, যাঠী, আৰু ধনু আছিল। ১৪
মই চাই, থিয় হৈ প্ৰধান লোকসকল, অধ্যক্ষসকল, আৰু আন আন
লোকসকলক ক'লো, “তোমালোকে তেওঁলোকৰ কাৰণে ভয় নকৰিবা।
মহান আৰু ঐশ্বৰ্য্যৱান ঈশ্বৰক সোঁৱৰণ কৰা। তোমালোকৰ পৰিয়াল,
পুত্ৰ আৰু কন্যা, ভাৰ্যা আৰু তোমালোকৰ ঘৰৰ বাবে যুদ্ধ কৰা।” ১৫
আমাৰ শত্ৰুবোৰে যেতিয়া শুনিলে যে, আমি তেওঁলোকৰ পৰিকল্পনাৰ
কথা গম পাইছোঁ, সেই সময়ত ঈশ্বৰে তেওঁলোকৰ পৰিকল্পনা ব্যৰ্থ
কৰিলে। তেতিয়া, আমি সকলোৱে দেৱাললৈ ঘূৰি আহি নিজৰ নিজৰ
কামত লাগিলোঁ। ১৬ মুখ্য লোকসকলে যেতিয়া যিহূদাৰ লোকসকলৰ
পাছফালে থিয় আছিল, তেতিয়াৰে পৰা মোৰ দাস সকলৰ মাজৰ
আধা সংখ্যক লোকে কেৱল দেৱালৰ পুনৰ নিৰ্ম্মাণৰ কাম কৰিলে
আৰু আধা সংখ্যক লোকে যাঠী, ঢাল, আৰু ধনু আৰু যুদ্ধৰ বস্ত্ৰ পিন্ধি
থাকিল। ১৭ দেৱাল নিৰ্ম্মাণ কৰোঁতা, আৰু ভাৰ বওঁতাসকলে প্ৰতিজনে
এখন হাতেৰে কাম কৰিছিল, আৰু আন খন হাতেৰে অস্ত্ৰ ধৰিছিল।
১৮ দেৱাল নিৰ্ম্মাণ কৰোঁতা প্ৰতিজনে কাষত তৰোৱাল লৈছিল আৰু
সেইদৰেই কাম কৰিছিল। যি জনে তূৰী বজাইছিল তেওঁ মোৰ ওচৰত
থিয় হৈছিল। ১৯ মই প্ৰধান লোকসকলক, কৰ্মচাৰী সকলক, আৰু
অৱশিষ্ট লোকসকলক ক'লোঁ, “এই কৰ্ম বৃহৎ আৰু বিস্তৃত, আৰু আমি
দেৱালৰ ওপৰত ইজনে সিজনৰ পৰা দুৰত থাকি পৃথকে আছোঁ। ২০
তোমালোকে যি ঠাইত তূৰীৰ মাত শুনিবা, সেই ঠাইলৈ তৎক্ষণাত
গৈ তোমালোকে সমবেত হ'বা। আমাৰ ঈশ্বৰে আমাৰ বাবে যুদ্ধ
কৰিব।” ২১ সেয়ে আমি এই কাৰ্য কৰি আছোঁ। তেওঁলোকৰ মাজত
আধা সংখ্যক লোকে বেলি ওলোৱাৰ পৰা তৰা দেখালৈকে যাঠী

ধৰি থাকে। ২২ সেই সময়ত ময়ো লোকসকলক ক'লোঁ, "প্ৰতিজন
লোক আৰু তেওঁৰ দাসে যিৰূচালেমৰ মাজত ৰাতিটো অতিবাহিত
কৰক, সেয়ে তেওঁলোক ৰাতি আমাৰ ৰখীয়া হ'ব, আৰু দিনত কাম
কৰিব।" ২৩ সেয়ে মই, নাইবা মোৰ ভাইসকল, মোৰ দাস সকল,
আৰু মোক অনুসৰণ কৰা ৰখীয়াসকলৰ, কোনেও কাপোৰ সলনি কৰা
নাছিলোঁ আৰু এনেকি পানী খাবলৈ যাওঁতেও প্ৰতিজনে নিজৰ অস্ত্ৰ
কঢ়িয়াইছিলোঁ।

৫ তাৰ পাছত লোকসকলে আৰু তেওঁলোকৰ ভাৰ্য্যাসকলে তেওঁলোকৰ
যিহুদী ভাই সকলৰ কাৰণে উচ্চ স্বৰে কান্দিলে। ২ তেওঁলোকৰ মাজৰ
কিছুমানে ক'লে, "আমি আমাৰ ল'ৰা-ছোৱালীৰ সৈতে বহুতো আছোঁ।
সেয়ে আমি খাই জীয়াই থাকিবলৈ আমাক শস্য লাগে।" ৩ তাত থকা
কিছুলোকে ক'লে, "আমি আমাৰ পথাৰবোৰ, দ্ৰাক্ষাবাৰীবোৰ, আৰু
আকালৰ সময়ত খাদ্যৰ বাবে আমাৰ ঘৰবোৰকো বন্ধক দিলোঁ। ৪
আন কিছুলোকে ক'লে, "আমি আমাৰ পথাৰ আৰু দ্ৰাক্ষাবাৰীবোৰৰ
ৰাজহ-কৰ দিবলৈ ধন ধাৰে আনিলোঁ। ৫ যদিও আমাৰ শৰীৰৰ
মাংস আৰু তেজ আমাৰ ভাইসকলৰ দৰেই একে, আৰু আমাৰ
সন্তান সকলৰ দৰেই তেওঁলোকৰো সন্তান সকল একে। তথাপিও
আমাৰ ল'ৰা-ছোৱালীক দাসত্বত বিক্ৰী কৰিবলৈ আমি বাধ্য। আমাৰ
ছোৱালীসকলৰ মাজৰ কেইজনীমানক ইতিমধ্যে দাস কামৰ বাবে
দিয়া হ'ল। কিন্তু এই ক্ষেত্ৰত সহায় কৰিবলৈ আমাৰ একো উপায় নাই,
কাৰণ আমাৰ পথাৰ আৰু দ্ৰাক্ষাবাৰীবোৰ আন লোকৰ হ'ল। ৬ মই
যেতিয়া তেওঁলোকৰ কথা আৰু কাতৰোক্তি শুনিলোঁ, তেতিয়া মোৰ বৰ
খং উঠিছিল। ৭ তাৰ পাছত মই এই বিষয়ে চিন্তা কৰিলোঁ, আৰু প্ৰধান
লোকসকল আৰু কৰ্মচাৰী সকলৰ বিৰুদ্ধে অভিযোগ আনিলোঁ। মই
তেওঁলোকক ক'লো, "আপোনালোকে প্ৰতিজনে নিজৰ নিজৰ ভাইৰ
পৰা সূত বেছিকৈ দাবী কৰি লৈছে।" মই তেওঁলোকৰ বিৰুদ্ধে মহাসভা
পাতিলোঁ, ৮ আৰু তেওঁলোকক ক'লোঁ, "দেশবোৰলৈ বিক্ৰী কৰা
আমাৰ যিহুদীসকলক আমি সাধ্য অনুসাৰে মুকলি কৰি আনিলোঁ, কিন্তু
তাৰ উপৰিও আপোনালোকে আপোনালোকৰ ভাই-ভনীসকলক বিক্ৰী

কৰি আছে, সেই সকলক হয়তো আমালৈকে ঘূৰাই বিক্ৰী কৰিছে!"
তাতে তেওঁলোক নিমাত হ'ল, আৰু একো উত্তৰ দিব নোৱাৰিলে। ৯
মই পুনৰ ক'লোঁ, "আপোনালোকে যি কৰি আছে সেয়া ভাল নহয়।
আমাৰ দেশৰ শত্ৰুবোৰে আমাক নিন্দা কৰাটো নিষেধ কৰিবলৈ
আপোনালোকে আমাৰ ঈশ্বৰলৈ ভয় ৰাখি চলা উচিত নহয় নে? ১০
মই আৰু মোৰ ভাইসকলে, আৰু মোৰ দাসবোৰেও তেওঁলোকক ধন
আৰু শস্য ধাৰে দিছোঁ। কিন্তু আমি এই ধাৰৰ সূত লোৱা ব্যৱস্থা বন্ধ
কৰা উচিত। ১১ তেওঁলোকৰ পথাৰ, দ্ৰাক্ষাবাৰী, জিত গছৰ বাৰী,
ঘৰবোৰ, আৰু তেওঁলোকৰ পৰা আদায় কৰা ধন, শস্য, নতুন দ্ৰাক্ষাৰস
আৰু তেল যিবোৰ আপোনালোকে দাবী কৰি লৈছিল সেই সকলো
আজিয়েই তেওঁলোকক ওভটাই দিয়ক।" ১২ তেতিয়া তেওঁলোকে
ক'লে, "আমি তেওঁলোকৰ পৰা যিবোৰ লৈছোঁ সেইবোৰ ওভটাই
দিম, আৰু তেওঁলোকৰ পৰা একো নিবিচাৰোঁ। আপুনি কোৱাৰ দৰেই
আমি কৰিম।" তাৰ পাছত মই পুৰোহিতসকলক মাতি আনিলোঁ,
আৰু তেওঁলোকে কৰা প্ৰতিজ্ঞাৰ দৰে কৰিবলৈ তেওঁলোকক শপত
খুৱালোঁ। ১৩ মই মোৰ কাপোৰৰ ভাজ জোকাৰি ক'লো, "সেয়ে যি
কোনোৱে এই প্ৰতিজ্ঞা পালন নকৰে, ঈশ্বৰে তেওঁক তেওঁৰ ঘৰৰ আৰু
অধিকাৰৰ পৰা এইদৰেই জোকাৰি পেলাওক। সেয়ে তেওঁক জোকৰা
হওক আৰু উদং কৰা হওক।" গোটেই সমাজে ক'লে, "আমেন,"
আৰু তেওঁলোকে যিহোৱাৰ প্ৰশংসা কৰিলে। লোকসকলে তেওঁলোকে
কৰা প্ৰতিজ্ঞাৰ দৰেই কাৰ্য কৰিলে। ১৪ সেয়ে সেই সময়ৰ পৰা মই
যিহূদা দেশত ৰজা অৰ্তক্ষত্ৰ ৰাজত্ব কালৰ বিশ বছৰৰ পৰা বত্ৰিশ
বছৰলৈকে তেওঁলোকৰ দেশাধ্যক্ষ নিযুক্ত হৈছিলোঁ। নহয় মই নাইবা
মোৰ ভাইসকলে এই বাৰ বছৰ দেশাধ্যক্ষৰ বাবে যোগান ধৰা আহাৰ
খোৱা নাছিলোঁ। ১৫ কিন্তু পূৰ্বতে থকা দেশাধ্যক্ষসকল যিসকল মোৰ
আগতে আছিল, তেওঁলোকে লোকসকলৰ ওপৰত গধুৰ বোজা দিছিল,
আৰু তেওঁলোকৰ দৈনিক খোৱা বস্তু আৰু দ্ৰাক্ষাৰস বাবে লোকসকলৰ
পৰা তেওঁলোকে চল্লিশ চেকল ৰূপ লৈছিল। তাৰ উপৰিও তেওঁলোকৰ
দাস সকলে লোকসকলৰ ওপৰত অত্যাচাৰ কৰিছিল। কিন্তু মই

সেইদৰে কৰা নাই, কাৰণ মই ঈশ্বৰলৈ ভয় কৰোঁ। ১৬ মই দেৱালৰ
কামো একেৰাহে কৰি আছিলোঁ, আৰু আমি মাটি কিনা নাছিলোঁ। মোৰ
সকলো দাস সকলে কামৰ বাবে সেই ঠাইলৈ আহি গোট খালে। ১৭
আমাৰ চাৰিওফালে থকা দেশৰ মাজৰ পৰা যি সকল লোক আমাৰ
ওচৰলৈ আহিছিল, তেওঁলোকৰ উপৰিও মোৰ মেজত বহা যিহুদী আৰু
কৰ্মচাৰী লোকসকল সৰ্ব্বমুঠ এশ পঞ্চাশ জন আছিল। ১৮ সেই সময়ত
প্ৰতিদিনেই এটা ষাঁড়-গৰু, ছটা উত্তম মেৰ-ছাগ, আৰু চৰাইবোৰো
প্ৰস্তুত কৰা হৈছিল, আৰু প্ৰতি দহ দিনত সকলো বিধৰ দ্ৰাক্ষাৰস
অধিক পৰিমাণে যুগুত কৰা হৈছিল। তথাপিও এই সকলোৰ বাবে মই
দেশাধ্যক্ষৰ আহাৰৰ খৰছ দাবী কৰা নাছিলোঁ, কাৰণ লোকসকলৰ
বাবে এই দাবী অসুবিধাজনক হ'লহেঁতেন। ১৯ হে মোৰ ঈশ্বৰ, এই
লোকসকলৰ অৰ্থে মই যিবোৰ কাম কৰিলোঁ, তাৰ বাবে মোক সোঁৱৰণ
কৰক।

৬ চনবল্লট, টোবিয়া, আৰবীয়া গেচম, আৰু আমাৰ অৱশিষ্ট শত্ৰুবোৰে
যেতিয়া শুনিলে, যে মই দেৱাল পুনৰ নিৰ্ম্মাণ কৰিলোঁ; যদিও মই
নগৰৰ চৌকাঠবোৰত দুৱাৰ খুউৱা নাছিলোঁ তথাপিও দেৱালত এটাও
মুকলি হৈ থকা ভঙা অংশ বাদ পৰা নাছিল। ২ তেতিয়া চনবল্লট
আৰু গেচমে মোৰ ওচৰলৈ এই কথা কৈ পঠিয়ালে, “আহাঁ, আমি
ওনো সমথলৰ কোনো এখন ঠাইত ল'গ হ'বলৈ গোট খাওহঁক।” কিন্তু
তেওঁলোকে মোৰ অনিষ্ট কৰিবলৈ ইচ্ছা কৰিছিল। ৩ মই তেওঁলোকলৈ
বাৰ্ত্তাবাহকক কৈ পঠিয়ালোঁ, “মই এটা ডাঙৰ কাম কৰি আছোঁ, আৰু
মই তললৈ নামি যাব নোৱাৰোঁ। এই কাম এৰি বা এই কাম বন্ধ কৰি
মই কিয় আপোনালোকৰ ওচৰলৈ যাম?” ৪ তেওঁলোকে মোৰ ওচৰলৈ
চাৰিবাৰ সেই বৰ্ত্তা পঠালে, আৰু মই তেওঁলোকক প্ৰতিবাৰে একে
দৰেই উত্তৰ দিলোঁ। ৫ পঞ্চমবাৰ চনবল্লটে এখন খোলা চিঠিৰ সৈতে
একে দৰেই নিজৰ দাসক মোৰ ওচৰলৈ পঠালে। ৬ তাত এই দৰে
লিখা আছিল, “দেশৰ মাজত এই সম্বাদ দিয়া হৈছে, আৰু গেচমেও
কৈছে যে, আপুনি আৰু যিহুদীসকলে বিদ্ৰোহ কৰিবলৈ পৰিকল্পনা কৰি
আছে। সেই কাৰণে আপুনি পুনৰ দেৱাল নিৰ্ম্মাণ কৰিছে। এই সম্বাদৰ

মতে, আপুনি তেওঁলোকৰ ৰজা হ'বলৈ খুজিছে। ৭ আৰু যিৰূচালেমত
আপোনাৰ বিষয়ে প্ৰচাৰ কৰাবলৈ আপুনি ভাববাদী সকলকো নিযুক্ত
কৰিছে, তেওঁলোকে কৈছে, 'যিহূদা দেশত এজন ৰজা আছে!' এই
সম্বাদ ৰজাই যে শুনিব আপুনি নিশ্চিত। সেই কাৰণে আহক, আমি
ইজনে সিজনৰ লগত আলোচনা কৰোঁহক। ৮ তাৰ পাছত মই তেওঁৰ
ওচৰলৈ কৈ পঠালোঁ, "আপুনি কোৱাৰ দৰে কোনো কাৰ্য কৰা হোৱা
নাই, কিন্তু সেইবোৰ আপোনাৰ মনেৰে সাজি কোৱা কথা।" ৯
তেওঁলোকে কাম কৰাৰ পৰা নিজৰ হাত এৰাই চলিব, আৰু এই কাৰ্য
যাতে সমাপ্ত কৰা নহয়, সেয়ে তেওঁলোক সকলোৱে আমাৰ মনত ভয়
সুমুৱাব খুজিছে, কিন্তু হে ঈশ্বৰ এতিয়া আপুনি মোৰ হাত সবল কৰক।
১০ মহেটবেলৰ পুত্ৰ দলায়া, দলায়াৰ পুত্ৰ চময়া, তেওঁ নিজৰ ঘৰৰ
ভিতৰতে আৱদ্ধ হৈ আছিল, মই তেওঁৰ ঘৰলৈ গ'লোঁ। তেওঁ ক'লে,
"আহক আমি ঈশ্বৰৰ গৃহত, মন্দিৰৰ ভিতৰত একগোট হওঁহক, আৰু
মন্দিৰৰ দুৱাৰবোৰ বন্ধ কৰোঁ, কাৰণ তেওঁলোকে আপোনাক বধ
কৰিবলৈ আহি আছে। ৰাতিয়েই আপোনাক বধ কৰিবলৈ আহিব।" ১১
মই উত্তৰ দিলোঁ, "মোৰ দৰে মানুহ এজনে পলাব নে? আৰু মোৰ দৰে
মানুহ এজনে মাত্ৰ জীয়াই থাকিবলৈ মন্দিৰৰ ভিতৰলৈ সোমাব নে?
মই ভিতৰলৈ নাযাওঁ।" ১২ মই অনুভৱ কৰিছিলোঁ যে, ঈশ্বৰে তেওঁক
পঠোৱা নাছিল, কিন্তু টোবিয়া আৰু চনবল্লটে তেওঁক ভাড়া দিছিল,
সেয়ে তেওঁ মোৰ অহিতে ভাববাণী প্ৰচাৰ কৰিছিল। ১৩ মোক ভয়
খুৱাবৰ বাবে তেওঁলোকে তেওঁক ভাড়া দিছিল। তেওঁ যি কৈছিল,
সেই দৰে কাম কৰি মই যেন পাপ কৰোঁ, আৰু তেওঁলোকে মোক
দুৰ্নাম কৰি লজ্জিত কৰিব পাৰে, এই কাৰণেই তেওঁক ভাড়া দিয়া
হৈছিল। ১৪ হে মোৰ ঈশ্বৰ, টোবিয়া আৰু চনবল্লটৰ এই কাৰ্য অনুসাৰে
তেওঁলোকক, আৰু মোক ভয় দেখুৱাব খোজা নোৱদিয়া ভাববাদিনী
আৰু অৱশিষ্ট ভাববাদী সকলকো সোঁৱৰণ কৰা। ১৫ ইলুল মাহৰ
পঁচিশ দিনৰ দিনা, বাৱন্ন দিনৰ পাছত সেই দেৱাল সাজি সমাপ্ত হ'ল।
১৬ আমাৰ সকলো শত্ৰুৱে যেতিয়া এই কথা শুনিলে, তেতিয়া আমাৰ
চাৰিওফালে থকা দেশীয় লোকসকলে ভয় খালে, আৰু নিজৰ দৃষ্টিত

অতি হীন অনুভৱ কৰিলে। কিয়নো তেওঁলোকে জানিবলৈ পালে যে,
এই কাম ঈশ্বৰৰ সহায়ৰ দ্বাৰাই সিদ্ধ হ'ল। ১৭ সেই সময়ত যিহূদাৰ
প্ৰধান লোকসকলে টোবিয়াৰ ওচৰলৈ বহুতো চিঠি পঠিয়ালে, আৰু
টোবিয়াৰ চিঠিও তেওঁলোকলৈ আহিলে। ১৮ তাতে যিহূদাৰ অনেক
লোকে তেওঁৰ পক্ষে শপত খাইছিল; সেই বাবে তেওঁলোক বাধ্যত
পৰিছিল। কাৰণ তেওঁ আৰহৰ পুত্ৰ চখনিয়াৰ জোঁৱায়েক আছিল।
তেওঁৰ পুত্ৰ যিহোহাননে বেৰেখিয়াৰ পুত্ৰ মচুল্লমৰ জীয়েকক বিয়া
কৰাইছিল। ১৯ তেওঁলোকে মোৰ আগত তেওঁৰ সৎকাৰ্য্যৰ কথা
কৈছিল, আৰু মোৰ কথাৰ বিষয়েও তেওঁৰ আগত সম্বাদ দিছিল। মোক
ভয় খুৱাবৰ বাবে টোবিয়াই চিঠি পঠিয়াইছিল।

৭ দেৱালবোৰ যেতিয়া সাজি সমাপ্ত কৰা হৈছিল। তেতিয়া মই
দুৱাৰবোৰ যথাস্থানত খুউৱাইছিলোঁ আৰু দুৱৰী, গায়ক, আৰু
লেবীয়াসকলক নিযুক্ত কৰা হৈছিল, ২ মই মোৰ ভাই হনানীক,
হননিয়াৰ সৈতে যিৰূচালেমৰ দ্বায়ীত্ব দিছিলোঁ, যদিও তেওঁ এজন
বিশ্বাসী আৰু ঈশ্বৰলৈ বহুলোকতকৈ অধিক ভয়কাৰী আছিল, কিন্তু
তেওঁ দুৰ্গৰ দ্বায়ীত্ব বহন কৰিব পৰা নাছিল। ৩ মই তেওঁলোকক
ক'লোঁ, "যেতিয়ালৈকে টান ৰ'দ নহয়, তেতিয়ালৈকে যিৰূচালেমৰ
দুৱাৰবোৰ মেলিব নালাগে। দুৱৰী সকলে পৰ দি থকাৰ সময়ত
আপোনালোকে দুৱাৰবোৰ বন্ধ কৰিব, আৰু ডাং বোৰ দিব পাৰিব।
আপোনালোকে যিৰূচালেমত নিবাস কৰা লোক সকলক প্ৰহৰীৰ বাবে
নিযুক্ত কৰিব, কিছুমানে তেওঁলোকৰ প্ৰহৰী স্থানত, আৰু কিছুমানে
নিজৰ ঘৰৰ সন্মুখত পহৰা দিব।" ৪ এই নগৰ বহল আৰু ডাঙৰ
আছিল, কিন্তু তাৰ ভিতৰত লোক কম আছিল, আৰু এতিয়াও ঘৰবোৰ
পুনৰ নিৰ্ম্মাণ কৰা হোৱা নাছিল। ৫ প্ৰধান লোক সকলক, কৰ্মচাৰী
সকলক আৰু লোক সকলক বংশাৱলীত তেওঁলোকৰ নাম অন্তৰ্ভুক্ত
কৰিবৰ বাবে একগোট কৰিবলৈ মোৰ ঈশ্বৰে মোৰ হৃদয়ত কথা
ক'লে। মই বাবিলৰ পৰা প্ৰথমে অহা লোকসকলৰ এখন বংশাৱলী-
পত্ৰ পালোঁ, আৰু তলত উল্লেখিত এই সকলো বিচাৰি পালোঁ। ৬
"প্ৰদেশৰ এই লোক সকল, যি সকলক বাবিলৰ ৰজা নবূখদনেচৰে

বন্দি কৰি লৈ গৈছিল, আৰু বন্দিত্বত ৰাখিছিল। তেওঁলোক বন্দিত্বৰ
পৰা মুকলি হৈ যিৰূচালেম আৰু যিহূদাৰ নিজৰ নিজৰ নগৰলৈ উভটি
আহিছিল। ৭ তেওঁলোক জৰুব্বাবিল, যেচুৱা, নহিমিয়া, অজৰিয়া,
ৰয়মিয়া, নহমানী, মৰ্দখয়, বিলচন, মিস্পৰৎ, বিগবয়, নহুম, আৰু
বানা, এওঁলোকৰ লগত আহিল। উল্লেখিত ইস্ৰায়েল লোকৰ পুৰুষ
সকলৰ সংখ্যা তলত অন্তৰ্ভুক্ত আছে। ৮ পৰিয়োচৰ বংশধৰ দুই
হাজাৰ এশ বাসত্তৰ জন। ৯ চফটিয়াৰ বংশধৰ তিনিশ বাসত্তৰ
জন। ১০ আৰহৰ বংশধৰ ছশ বাৱন্ন জন। ১১ যেচুৱা আৰু যোৱাবৰ
বংশধৰ আৰু পহৎ-মোৱাবৰ বংশধৰসকল দুই হাজাৰ আঠশ ওঠৰ
জন। ১২ এলমৰ বংশধৰসকল এক হাজাৰ দুশ চৌৱন্ন জন। ১৩
জত্তুৰ বংশধৰসকল আঠশ পঞ্চলিশ জন। ১৪ জক্কয়ৰ বংশধৰসকল
সাতশ ষাঠি জন। ১৫ বিন্নুইৰ বংশধৰসকল ছশ আঠচল্লিশ জন। ১৬
বেবয়ৰ বংশধৰসকল ছশ আঠাইশ জন। ১৭ অজগদৰ বংশধৰসকল
দুই হাজাৰ তিনিশ বাইশ জন। ১৮ অদোনীকামৰ বংশধৰসকল ছশ
সাতষষ্ঠি জন। ১৯ বিগবয়ৰ বংশধৰসকল দুই হাজাৰ সাতষষ্ঠি জন।
২০ আদীনৰ বংশধৰসকল ছশ পচপন্ন জন। ২১ হিষ্কিয়াৰ আটেৰৰ
বংশধৰসকল আঠানব্বৈ জন। ২২ হাচুমৰ বংশধৰসকল তিনি শ
আঠাইশ জন। ২৩ বেচয়ৰ বংশধৰসকল তিনি শ চৌবিশ জন। ২৪
হাৰীফৰ বংশধৰসকল এশ বাৰ জন। ২৫ গিবিয়োনৰ বংশধৰসকল
পঞ্চানব্বই জন। ২৬ বৈৎলেহেম আৰু নটোফাৰ পৰা অহা লোক এশ
আঠাশী জন। ২৭ অনাথোতৰ পৰা অহা লোক এশ আঠাইশ জন। ২৮
বৈৎআজমাবতৰ লোকসকল বিয়াল্লিশ জন। ২৯ কিৰিয়ৎ-যিয়াৰীম
কফীৰা, আৰু বেৰোতৰ লোকসকল সাতশ তিয়াল্লিশ জন। ৩০ ৰামা
আৰু গেবাৰ লোকসকল ছশ একৈশ জন। ৩১ মিকমচৰ লোকসকল
এশ বাইশ জন। ৩২ বৈৎএল আৰু অয়ৰ লোকসকল এশ তেইশ
জন। ৩৩ অন্য নবোতৰ লোকসকল বাৱন্ন জন। ৩৪ অন্য এলমৰ
লোকসকল এক হাজাৰ দুশ চৌৱন্ন জন। ৩৫ হাৰীমৰ লোকসকল
তিনি শ বিশ জন। ৩৬ যিৰীহোৰ লোকসকল তিনি শ পঞ্চল্লিশ জন।
৩৭ লোদ, হাদীদ, আৰু ওনোৰ লোকসকল সাত শ একৈশ জন। ৩৮

চনাৱাৰ লোকসকল তিনি হাজাৰ ন শ ত্ৰিশ জন। ৩৯ পুৰোহিতসকল:
যিদয়াৰ বংশধৰসকল (যেচুৱাৰ ঘৰৰ) ন শ তেসত্তৰ জন। ৪০ ইম্মেৰৰ
বংশধৰসকল এক হাজাৰ বাৱন্ন জন। ৪১ পচহুৰৰ বংশধৰসকল এক
হাজাৰ দুশ সাতচল্লিশ জন। ৪২ হাৰীমৰ বংশধৰসকল এক হাজাৰ
সোঁতৰ জন। ৪৩ লেবীয়াসকল: হোদবাৰ বংশধৰ কদ্মীয়েল, আৰু
কদমীয়েলৰ যেচুৱাৰ বংশধৰসকল চৌসত্তৰ জন। ৪৪ গায়কসকল:
আচফৰ বংশধৰসকল এশ আঠচল্লিশ জন। ৪৫ চল্লুম, আটেৰ, টল্মোন,
অক্কুব, হটীটা, চোবয়ৰ বংশধৰৰ দুৱৰীসকল এশ আঠত্ৰিশ জন। ৪৬
মন্দিৰৰ দাসবোৰ: চীহা, হচুফা, টব্বায়োৎ, ৪৭ কেৰোচ, চীয়া, পাদোন,
৪৮ লবানা, হগাবা, চলম্য়, ৪৯ হানন, গিদ্দেল, গহৰ, ৫০ ৰায়া, ৰচীন,
নকোদা, ৫১ গজ্জম, উজ্জা, পাচেহ, ৫২ বেচয়, মিয়ূনীম, নফূচীম, ৫৩
বকবুক, হকুফা, হৰ্হূৰ, ৫৪ বচলীৎ, মহীদা, হৰ্চা, ৫৫ বৰ্কোচ, চীচৰা,
তেমহ, ৫৬ নচীহ, আৰু হটীফাৰ বংশধৰসকল। ৫৭ চলোমনৰ দাসৰ
বংশধৰসকল: চোটয়, চোফেৰৎ, পৰীদা, ৫৮ যালা, দৰ্কোণ, গিদ্দেল,
৫৯ চফটিয়া, হত্তীল, পোখৰৎ-হচবয়িম, আমোনৰ বংশধৰসকল। ৬০
সকলো মন্দিৰৰ দাস আৰু চলোমনৰ দাসবোৰৰ বংশধৰসকল সৰ্ব্বমুঠ
তিনি শ বিৰানব্বৈই জন আছিল। ৬১ এওঁলোক তেল-মেলহ, তেল-
হৰ্চা, কৰূব, অদ্দোন, আৰু ইম্মেৰৰ পৰা অহা লোক; কিন্তু তেওঁলোকে
আৰু তেওঁলোকৰ পূৰ্বপুৰুষৰ পৰিয়াল সকলে ইস্ৰায়েলৰ পৰা অহা
বংশধৰ বুলি প্ৰমাণ দিব নোৱাৰিলে। ৬২ দলায়াৰ, টোবিয়াৰ, আৰু
নকোদাৰ বংশধৰসকল ছশ বিয়াল্লিশ জন। ৬৩ পুৰোহিতসকলৰ:
হবয়া, হক্কোচ, আৰু বৰ্জ্জিল্লয়ৰ বংশধৰসকল, বাৰ্জ্জিলয়ে গিলিয়দীয়া
বাৰ্জিল্লয়ৰ জীয়েক এজনীক বিয়া কৰিছিল আৰু তেওঁক তেওঁলোক
নামেৰেই মতা হৈছিল। ৬৪ বংশাৱলীত নাম লিখা লোকসকলৰ মাজত
এওঁলোকে নিজৰ নিজৰ নাম বিচাৰি নাপালে, সেয়ে তেওঁলোকক
অশুচি বুলি গণ্য কৰি, পুৰোহিত বাবৰ পৰা আঁতৰোৱা হ'ল। ৬৫ আৰু
দেশাধ্যক্ষই তেওঁলোকক ক'লে যে, উৰীম আৰু তুম্মীমৰ পুৰোহিতৰ
সৈতে যেতিয়ালৈকে তেওঁলোক থিয় নহয়, তেতিয়ালৈকে পুৰোহিতে
ভগোৱা উৎসৰ্গিত আহাৰ তেওঁলোকক খাবলৈ অনুমতি দিয়া নহঁওক।

৬৬ সমাজত সমবেত হোৱা লোকসকল সৰ্ব্বমুঠ বিয়াল্লিশ হাজাৰ তিনি
শ ষাঠি জন আছিল। ৬৭ তাৰ উপৰিও তেওঁলোকৰ সাত হাজাৰ তিনি
শ সাতত্রিশ জন দাস-দাসী আছিল। তেওঁলোকৰ দুশ পঞ্চল্লিশ জন
গায়ক আৰু গায়িকা আছিল। ৬৮ তেওঁলোকৰ সাত শ ছয়ত্রিশটা ঘোঁৰা,
দুশ পঞ্চল্লিশটা খচ্চৰ, ৬৯ চাৰিশ পঁয়ত্রিশটা উট, আৰু ছয় হাজাৰ সাত
শ বিশটা গাধ আছিল। ৭০ পূৰ্বপুৰুষৰ পৰিয়ালৰ মূখ্য লোক সকলৰ
মাজৰ কিছুমানে সেই কামৰ বাবে দান দিলে। দেশাধ্যক্ষই ভঁৰালত
এক হাজাৰ সোণৰ মূদ্রা, পঞ্চাশটা চৰিয়া, আৰু পুৰোহিতৰ বাবে পাঁচ
শ ত্ৰিশ খন বস্ত্ৰ দিলে। ৭১ পূৰ্বপুৰুষৰ মূখ্য লোকসকলৰ কিছুমানে
কামৰ বাবে ভঁৰালত বিশ হাজাৰ সোণৰ মূদ্রা আৰু দুই হাজাৰ দুশ ৰূপ
মূদ্রা দিলে। ৭২ অৱশিষ্ট লোকসকলে বিশ হাজাৰ সোণৰ মূদ্রা আৰু দুই
হাজাৰ ৰূপৰ মূদ্রা, আৰু পুৰোহিতৰ বাবে সাতষষ্ঠি খন বস্ত্ৰ দিলে। ৭৩
পুৰোহিত, লেবীয়া, দুৱৰী, গায়ক, আৰু কিছু সংখ্যক লোকে, মন্দিৰৰ
দাস, আৰু সকলো ইস্ৰায়েল লোকে নিজৰ নিজৰ নগৰত বাস কৰিলে।
সপ্তম মাহত ইস্ৰায়েলৰ লোকসকলে নিজৰ নিজৰ নগৰত সংস্থাপন
কৰিলে।

৮ জল-দুৱাৰৰ আগত থকা মুকলি ঠাইত এটা উদ্দেশ্যৰ কাৰণে
সকলো লোকে নিজকে একগোট কৰিলে। ইস্ৰায়েলৰ বাবে যিহোৱাই
আদেশ কৰা মোচিৰ ব্যৱস্থা পুস্তক আনিবলৈ তেওঁলোকে ইজ্ৰা
অধ্যাপকক ক'লে। ২ সপ্তম মাহৰ প্ৰথম দিনা ইজ্ৰা পুৰোহিতে সমাজৰ
আগলৈ, স্ত্ৰী-পুৰুষ আদি যিমান লোকে শুনিব আৰু বুজিব পাৰে,
তেওঁলোকৰ ওচৰলৈ সেই পুস্তক আনিলে। ৩ জল-দুৱাৰৰ আগত থকা
মুকলি ঠাইৰ ফালে মুখ কৰি, স্ত্ৰী-পুৰুষ আদি যিমানে বুজিব পাৰে,
তেওঁলোকৰ আগত তেওঁ ৰাতিপুৱাৰে পৰা দুপৰ বেলালৈকে তাক পাঠ
কৰিলে। সকলো লোকে সেই ব্যৱস্থা-পুস্তকৰ কথা মনদি শুনিলে। ৪
ইজ্ৰা অধ্যাপকে, সেই কাৰ্যৰ কাৰণে সজা এখন ওখ কাঠৰ মঞ্চৰ
ওপৰত থিয় হৈছিল। তেওঁৰ ওচৰত সোঁ ফালে মত্তিথিয়া, চেমা, অনায়া,
উৰিয়া, হিল্কিয়া, আৰু মাচেয়া, আৰু বাওঁফালে পদায়া, মিচায়েল,
মল্কিয়া, হাচুম, হচবদ্দানা, জখৰিয়া আৰু মচুল্লম থিয় হৈছিল। ৫ তাৰ

পাছত ইজ্ৰাই সকলো লোকতকৈ ওখ ঠাইত থিয় হৈ সকলো লোকে
দেখাকৈ পুস্তকখন মেলিলে। তেওঁ পুস্তকখন মেলা মাত্ৰে সকলো লোক
উঠি থিয় হ'ল। ৬ ইজ্ৰাই মহান ঈশ্বৰ যিহোৱাৰ ধন্যবাদ কৰিলে, আৰু
সকলো লোকে হাত দাঙি উত্তৰ দিলে, “আমেন!, আমেন!” তাৰ পাছত
মুৰ দোঁৱাই মাটিত উবুৰি হৈ যিহোৱাৰ আগত প্ৰণিপাত কৰিলে। ৭
আৰু যেচুৱা, বানী, চেৰেবিয়া, যামীন, অক্কুব, চবথয়, হোদিয়া, মাচেয়া,
কলীটা, অজৰিয়া, যোজাবদ, হানন, পলায়া, আৰু লেবীয়াসকলে,
নিজ নিজ ঠাইত থিয় হৈ থকা লোকসকলক ব্যৱস্থা পুস্তকখনৰ অৰ্থ
বুজিবলৈ সহায় কৰিলে। ৮ তাৰ পাছত তেওঁলোকে স্পষ্টকৈ ঈশ্বৰৰ
ব্যৱস্থা-পুস্তক পাঠ কৰিলে, আৰু লোকসকলে বুজিব পৰাকৈ তাৰ
অৰ্থ বুজাই দিলে। ৯ দেশাধ্যক্ষ নহিমিয়া, অধ্যাপক আৰু পুৰোহিত
ইজ্ৰা, আৰু লেবীয়াসকল যি সকলে অৰ্থ বুজাই দিছিল, তেওঁলোকে
লোকসকলক ক'লে, “আজি আপোনালোকৰ ঈশ্বৰ যিহোৱাৰ উদ্দেশ্যে
পবিত্ৰ দিন। আপোনালোকে শোক নকৰিব আৰু নাকান্দিব।” কাৰণ
ব্যৱস্থা পুস্তকৰ বাক্য শুনি সকলো লোকে কান্দি আছিল। ১০ তেতিয়া
নহিমিয়াই তেওঁলোকক ক'লে, “যাওক, চৰ্বি জাতীয় বস্তু ভোজন
কৰক, আৰু মিঠা ৰস পান কৰক, আৰু যাৰ প্ৰস্তুত কৰা একো বস্তু
নাই, তেওঁলোকৰ কাৰণে কিছু আহাৰ পঠাই দিয়ক। কিয়নো আজি
আমাৰ প্ৰভুৰ উদ্দেশ্যে পবিত্ৰ দিন। আপোনালোকে দুখ নকৰিব;
কাৰণ যিহোৱাত যি আনন্দ সেয়ে আপোনালোকৰ শক্তি।” ১১ সেয়ে
লেবীয়াসকলে লোকসকলক শান্ত কৰি ক'লে, “মনে মনে থাকক,
কাৰণ আজি পবিত্ৰ দিন। আপোনালোকে দুখ নকৰিব।” ১২ তেতিয়া
তেওঁলোকক বুজাব বিচাৰা কথা বুজি, খোৱা-বোৱা কৰিবলৈ, আৰু
আহাৰ ভাগ কৰি খাবলৈ, আৰু অতিশয় আনন্দেৰে উদযাপন কৰি
সকলো লোক নিজ বাটে গ'ল। ১৩ তাৰ পাছত দ্বিতীয় দিনা সকলো
লোকৰ পিতৃ বংশৰ মূল লোক, পুৰোহিত, আৰু লেবীয়াসকলে ব্যৱস্থা
পুস্তকৰ বাক্য গভীৰ ভাবে বুজিবলৈ ইজ্ৰা অধ্যাপকৰ ওচৰলৈ আহি
গোট খালে। ১৪ তেওঁলোকে, ব্যৱস্থা পুস্তকত লিখা কথাৰ পৰা গম
পালে যে, কি দৰে মোচিৰ দ্বাৰাই যিহোৱাই আদেশ কৰা অনুযায়ী,

ইস্রায়েলৰ সন্তান সকলে সপ্তম মাহৰ পৰ্ব্বৰ কালত গৃহত থাকিব লাগে।
১৫ আপোনালোকে ইয়াত লিখাৰ দৰে যিৰূচালেমত আৰু তেওঁলোকৰ
সকলো নগৰত এই কথা ঘোষণা কৰি ক'ব লাগে যে, "অস্থায়ী আশ্ৰয়
গৃহ সাজিবৰ কাৰণে পৰ্ব্বতলৈ গৈ জলফাই গছ, বনৰীয়া জিত গছ
আৰু মেন্দি গছৰ ডাল, খাজুৰ পাত আৰু ছাঁ দিয়া গছৰ পাত আনক।"
১৬ সেয়ে লোকসকলে ওলাই গৈ সেইবোৰ আনি প্ৰতেকে নিজৰ বাবে
তেওঁলোকৰ নিজৰ চোতালত, ঈশ্বৰৰ গৃহৰ চোতাল বোৰত, জল-
দুৱাৰৰ সন্মুখৰ মুকলি ঠাইত আৰু ইফ্ৰয়িমৰ দুৱাৰৰ সন্মুখৰ মুকলি
ঠাইত গৃহ সাজিলে। ১৭ সমবেত হোৱা লোকসকলৰ, যি সকল বন্দী
অৱস্থাৰ পৰা ঘূৰি আহিছিল, গৃহ সাজি তাত বাস কৰিলে। কাৰণ নুনৰ
পুত্ৰ যেচুৱাৰ দিনৰে পৰা সেই দিনলৈকে ইস্রায়েলৰ সন্তান সকলে
এই পৰ্ব পালন কৰা নাছিল; সেয়ে অধিক আনন্দ হ'ল। ১৮ ইজ্ৰাই
প্ৰথম দিনৰে পৰা শেষৰ দিনলৈকে প্ৰতি দিনে ঈশ্বৰৰ ব্যৱস্থা পুস্তক
পাঠ কৰিলে। তেওঁলোকে সাত দিন পৰ্ব্ব পালন কৰিলে; আৰু বিধি
অনুসাৰে অষ্টম দিনা ধৰ্ম-সভা পালন কৰিলে।

**৯** তাৰ পাছত সেই মাহৰ চৌবিশ দিনৰ দিনা ইস্রায়েলৰ সন্তান সকল
সমবেত হৈ লঘোন দি, চট কাপোৰ পিন্ধিলে, আৰু তেওঁলোকে নিজৰ
মুৰত ধুলি লগালে। ২ ইস্রায়েলৰ-বংশধৰ সকলে বিদেশী সকলৰ
পৰা নিজক পৃথক কৰিলে। তেওঁলোকে থিয় হৈ নিজৰ নিজৰ পাপ,
আৰু তেওঁলোকৰ পুৰ্ব-পুৰুষ সকলৰ অপৰাধ স্বীকাৰ কৰিলে। ৩
তেওঁলোকে নিজৰ ঠাইত থিয় হ'ল, আৰু দিনৰ চাৰিভাগৰ এভাগ
সময় তেওঁলোকে ঈশ্বৰ যিহোৱাৰ ব্যৱস্থা পুস্তক খন পাঠ কৰিলে, আৰু
দিনৰ চাৰিভাগৰ আন এভাগ নিজৰ ঈশ্বৰ যিহোৱাৰ আগত প্ৰণিপাত
কৰি পাপ স্বীকাৰ কৰিলে। ৪ লেবীয়া, যেচুৱা, বানী, কদ্মীয়েল,
চবনিয়া, বুন্নী, চেৰেবিয়া, বাণী, আৰু কনানী সকলে খটখটিত থিয় হৈ,
তেওঁলোকৰ ঈশ্বৰ যিহোৱাৰ আগত উচ্চস্বৰে স্তুতিগীত কৰিলে। ৫ তাৰ
পাছত লেবীয়া সকলৰ, যেচুৱা, কদ্মীয়েল, বানী, হচবনিয়া, চেৰেবিয়া,
হোদিয়া, চবনিয়া আৰু পথহিয়াই ক'লে, আপোনালোক উঠক; আৰু
অনাদি কালৰ পৰা অনন্ত কাললৈকে থকা আপোনালোকৰ ঈশ্বৰ

যিহোৱাৰ ধন্যবাদ কৰক। আপোনাৰ গৌৰৱান্বিত নাম আশীৰ্ব্বাদযুক্ত
হওক; আৰু সকলো আশীৰ্বাদ আৰু প্ৰশংসাতকৈ মৰ্য্যদাপূৰ্ণ হওক। ৬
আপুনি এক মাত্ৰ ঈশ্বৰ যিহোৱা, আপুনি স্বৰ্গ আৰু স্বৰ্গৰো স্বৰ্গ আৰু
তাত যুদ্ধৰ বাবে সজ্জিত দূতবোৰৰ সৈতে, পৃথিৱী আৰু তাত থকা
সকলোকে আৰু সমুদ্ৰ আৰু তাত থকা সকলোকে স্ৰজন কৰিলে।
আপুনি তেওঁলোকক জীৱন দান কৰিলে, আৰু স্বৰ্গৰ দূতৰ বাহিনীয়ে
আপোনাৰ উপাসনা কৰে। ৭ আপুনি সেই ঈশ্বৰ যিহোৱা, যি জনে
অব্ৰামক মনোনীত কৰি কলদীয়া সকলৰ দেশ উৰৰ পৰা উলিয়াই
আনি তেওঁৰ নাম অব্ৰাহাম ৰাখিছিল। ৮ আপোনাৰ সাক্ষাতে তেওঁৰ
মন বিশ্বাস যোগ্য পাই, হিত্তীয়া, ইমোৰীয়া, পৰিজ্জীয়া, যিবুচীয়া, আৰু
গিৰ্গাচীয়া, এই কনানীয়া লোকসকলৰ দেশ তেওঁৰ বংশক দিবলৈ
তেওঁৰ লগত এটি নিয়ম স্থাপন কৰিলে। আপুনি নিজৰ প্ৰতিজ্ঞা স্থিৰ
কৰিলে কাৰণ আপুনি ধৰ্মপৰায়ণ ঈশ্বৰ। ৯ আপুনি মিচৰত থকা
আমাৰ ওপৰ-পিতৃসকলৰ দুখলৈ দৃষ্টি কৰিছিল, আৰু চূফ সাগৰৰ
কাষত তেওঁলোকৰ কাতৰোক্তি শুনিছিল। ১০ আপুনি ফৰৌণক, তেওঁৰ
সকলো দাসক, আৰু তেওঁৰ দেশৰ সকলো প্ৰজাবোৰক চিন আৰু
অদ্ভুত লক্ষণ দেখুৱাইছিল; কাৰণ মিচৰীয়াসকলে তেওঁলোকৰ বিৰুদ্ধে
গৰ্ব্ব আচৰণ কৰা কথা আপুনি জানিছিল। কিন্তু আপুনি নিজৰ নাম
স্থাপন কৰিলে, যি আজিও একেদৰে আছে। ১১ আপুনি তেওঁলোকৰ
আগত সমুদ্ৰক দুভাগ কৰিছিল, সেয়ে তেওঁলোক যেন সমুদ্ৰৰ মাজেদি
শুকান বাটেৰে যাব পাৰে; কিন্তু তেওঁলোকৰ পাছত খেদি অহাবোৰক
হ’লে, গভীৰ জলত শিল পেলোৱাৰ দৰে পেলালে। ১২ আপুনি ৰাতি
অগ্নি স্তম্ভৰ দ্বাৰাই তেওঁলোকৰ পথ পোহৰ কৰি আৰু দিনত মেঘ স্তম্ভৰ
দ্বাৰাই ছাঁ দি তেওঁলোকক আগুৱাই নিলে। ১৩ আপুনি চীনয় পৰ্ব্বতলৈ
নামি আহিছিল আৰু তেওঁলোকৰ সৈতে স্বৰ্গৰ পৰাও কথা পাতিছিল।
তেওঁলোকক নৈতিকতাপূৰ্ণ শাসন প্ৰণালী, সত্য ন্যায় ব্যৱস্থা, উত্তম
বিধি আৰু আজ্ঞাবোৰ দিছিল। ১৪ আপোনাৰ পবিত্ৰ বিশ্ৰাম-বাৰ
তেওঁলোকক জনালে, আৰু আপোনাৰ দাস মোচিৰ দ্বাৰাই তেওঁলোকক
আজ্ঞা, বিধি, আৰু নিয়ম প্ৰণালীবোৰ দিলে। ১৫ তেওঁলোকৰ ভোক

লগা সময়ত আকাশৰ পৰা আহাৰ দিলে, আৰু পিয়াহ গুচাবলৈ শিলৰ
পৰা পানী উলিয়ালে। আপুনি যি দেশ দিবলৈ তেওঁলোকক প্ৰতিজ্ঞা
কৰিছিল, সেই দেশলৈ যাবলৈ তেওঁলোকক আজ্ঞা দিলে। ১৬ কিন্তু
তেওঁলোক আৰু আমাৰ পূৰ্ব-পুৰুষ সকলে অসন্মান জনক কাৰ্য কৰিলে।
তেওঁলোক আঁকোৰগোঁজ আছিল, আৰু আপোনাৰ আজ্ঞাবোৰ শুনা
নাছিল। ১৭ তেওঁলোকে শুনিবলৈ মান্তি নহল, আৰু আপুনি তেওঁলোকৰ
মাজত কৰা আচৰিত কাৰ্যৰ কথা তেওঁলোকে চিন্তা নকৰিলে। কিন্তু
তেওঁলোক আঁকোৰগোঁজ হৈছিল, আৰু তেওঁলোকৰ বন্দী অৱস্থালৈ
উভতি যাবলৈ বিদ্ৰোহ কৰি এজন নেতা নিযুক্ত কৰিলে। কিন্তু আপুনি
ক্ষমাৱান ঈশ্বৰ, কৃপাময়, আৰু অনুগ্ৰহেৰে পৰিপূৰ্ণ, ক্ৰোধত ধীৰ
আৰু দয়াত মহান, সেয়ে আপুনি তেওঁলোকক ত্যাগ নকৰিলে। ১৮
তেওঁলোকে যেতিয়া ঈশ্বৰক নিন্দা কৰি সাঁচত ঢালি এটা দামুৰি
নিৰ্ম্মাণ কৰি কৈছিল, “মিচৰৰ পৰা আপোনালোকক উলিয়াই অনা
ঈশ্বৰ এৱেঁই” তথাপিও আপুনি তেওঁলোকক ত্যাগ কৰ নাছিল। ১৯
আপোনাৰ দয়াৰ গুণে তেওঁলোকক আপুনি মৰুভূমিত ত্যাগ কৰা
নাছিল। তেওঁলোকক বাটত লৈ যাবলৈ দিনত মেঘ স্তম্ভ আৰু ৰাতি
পোহৰ দিবলৈ অগ্নি স্তম্ভ তেওঁলোকৰ পৰা দূৰ কৰা নাছিল। ২০
আপুনি তেওঁলোকক শিক্ষা দিবৰ কাৰণে আপোনাৰ মঙ্গলময় আত্মা
তেওঁলোকক দান কৰিলে, আৰু তেওঁলোকৰ মুখৰ পৰা আপোনাৰ মান্না
প্ৰত্যাহাৰ নকৰিলে, আৰু তেওঁলোকৰ পিয়াহ গুচাবলৈ তেওঁলোকক
পানী দিলে। ২১ আপুনি চল্লিশ বছৰলৈকে মৰুভূমিত তেওঁলোকক
প্ৰতিপালন কৰি আছিলে। তেওঁলোকৰ একো বস্তুৰে অভাৱ হোৱা
নাছিল। তেওঁলোকৰ কাপোৰ ফটা নাছিল আৰু তেওঁলোকৰ ভৰিও
ফুলা নাছিল। ২২ আপুনি তেওঁলোকক ৰাজ্য সমূহ আৰু লোকসকল
দিলে আৰু তেওঁলোকক চাৰিও দিশে ভূমি প্ৰদান কৰিলে। সেয়ে
তেওঁলোকে ৰজা হিচবোনৰ চীহোন দেশ, আৰু ৰজা বাচানৰ ওগ
দেশ অধিকাৰ কৰিলে। ২৩ আপুনি তেওঁলোকৰ সন্তানক আকাশ-
মণ্ডলৰ তৰাবোৰৰ দৰে অসংখ্য কৰিলে, আৰু তেওঁলোকক আপুনি
তেওঁলোকৰ দেশলৈ আনিলে। আপুনি তেওঁলোকৰ পূৰ্ব-পুৰুষ সকলক

ক'লে, “তাৰৈ যোৱা আৰু অধিকাৰ কৰা।” ২৪ সেয়ে লোকসকলে
তালৈ গৈ দেশ অধিকাৰ কৰিলে, আৰু আপুনি সেই দেশ নিবাসী
কনানীয়া সকলক তেওঁলোকৰ বশীভূত কৰিলে। তেওঁলোকে ভাল
পোৱাৰ দৰে ইস্ৰায়েলী সকলে যাতে কৰে, সেয়ে তেওঁলোকৰ দেশৰ
ৰজাৰ সৈতে লোক সকলকো আপুনি তেওঁলোকৰ হাতত শোধাই
দিলে। ২৫ তেওঁলোকে গড়েৰে আবৃত নগৰবোৰ আৰু এখন উৰ্বৰা
দেশ অধিকাৰ কৰিলে। তেওঁলোকে সকলো উত্তম বস্তুৰে ভৰি থকা ঘৰ
সমূহ, ইতিমধ্যে খান্দি থোৱা নাদ, দ্ৰাক্ষাবাৰী, জিত বাৰী, আৰু ফল
ধৰা বহুত গছ অধিকাৰ কৰিলে। সেয়ে তেওঁলোকে সেইবোৰ খাই তৃপ্ত
হ'ল, আৰু আপোনাৰ মহান দয়াত তেওঁলোকে আনন্দ কৰিলে। ২৬
তাৰ পাছত তেওঁলোক অবাধ্য হ'ল আৰু আপোনাৰ বিৰুদ্ধে বিদ্ৰোহ-
আচৰণ কৰিলে। তেওঁলোকে আপোনাৰ বিধান অৱহেলা কৰিলে। যি
ভাববাদী সকলে তেওঁলোকক আপোনালৈ ঘূৰি আহিবলৈ সাৱধান
কৰিছিল, তেওঁলোকক তেওঁলোকে বধ কৰিলে, আৰু নিন্দা কৰিলে।
২৭ যি সকলে তেওঁলোকক দুখ দিছিল সেই শত্ৰুবোৰৰ হাতত আপুনি
তেওঁলোকক শোধাই দিলে। তেওঁলোকৰ দুখৰ সময়ত তেওঁলোকে
আপোনাৰ আগত কাতৰোক্তি কৰিলে। আপোনাৰ মহান অনুগ্ৰহৰ
কাৰণে স্বৰ্গৰ পৰা তেওঁলোকৰ কাতৰোক্তি শুনি তেওঁলোকৰ শত্ৰুৰ
হাতৰ পৰা বহু বাৰ তেওঁলোকক উদ্ধাৰ কৰিলে। ২৮ কিন্তু তেওঁলোকে
কিছুদিন স্থিৰে থকাৰ পাছত, পুনৰ তেওঁলোকে আপোনাৰ সাক্ষাতে কু-
আচৰণ কৰিলে। সেয়ে আপুনি তেওঁলোকক তেওঁলোকৰ শত্ৰুবোৰৰ
হাতত শোধাই দিলে, আৰু শত্ৰুবোৰে তেওঁলোকৰ ওপৰত শাসন
কৰিলে। তথাপি তেওঁলোকে যেতিয়া ঘূৰি আহি আপোনাৰ আগত
কাতৰোক্তি কৰিলে, তেতিয়া স্বৰ্গৰ পৰা তেওঁলোকৰ কাতৰোক্তি শুনি
আপোনাৰ কৃপাৰ গুণে বহু বাৰ তেওঁলোকক উদ্ধাৰ কৰিলে। ২৯
আপোনাৰ বিধানলৈ যাতে তেওঁলোক ঘূৰি আহে তাৰ বাবে আপুনি
তেওঁলোকক সাৱধান কৰিলে। তথাপি তেওঁলোকে গৰ্ব্ব আচৰণ কৰি
আপোনাৰ আজ্ঞাবোৰ নুশুনিলে। যি সকলে আপোনাৰ বিধান পালন
কৰে, তেওঁলোকে জীৱন লাভ কৰে; কিন্তু তেওঁলোকে সেই বিধানৰ

বিৰুদ্ধে পাপ কৰিলে। তেওঁলোকে বিধানবোৰ পালন নকৰিলে, তাৎ
মনোযোগো নিদিলে, আনকি তেওঁলোকে সেইবোৰ নিশুনিলেও।
৩০ আপুনি অনেক বছৰ তেওঁলোকৰ লগত থাকি তেওঁলোকক সহন
কৰিলে, আৰু ভাববাদীৰ দ্বাৰাই আপোনাৰ আত্মাৰে তেওঁলোকক
সাৱধান কৰিলে, কিন্তু তেওঁলোকে নুশুনিলে। সেয়ে তেওঁলোকক
চুবুৰীয়া দেশৰ লোকৰ হাতত শোধাই দিলে। ৩১ কিন্তু আপোনাৰ মহান
অনুগ্ৰহৰ বাবে আপুনি তেওঁলোকক সম্পুৰ্ণভাৱে শেষ নকৰিলে আৰু
ত্যাগো নকৰিল; কিয়নো আপুনি দয়ালু আৰু কৃপাময় ঈশ্বৰ। ৩২ সেয়ে
এতিয়া, হে আমাৰ মহান, পৰাক্ৰমী, আৰু ঐশ্বৰ্য্যৱান ঈশ্বৰ, আপুনি
নিয়ম ৰক্ষা কৰোঁতা ঈশ্বৰ আৰু আপোনাৰ প্ৰেম সদা কাললৈকে একে।
ৰজা অচুৰীয়াৰ ৰাজত্ব কৰা দিনৰ পৰা আজিলৈকে আমাৰ, আমাৰ
ৰজা, কোঁৱৰ, পুৰোহিত, ভাববাদী, আমাৰ পূৰ্ব-পুৰুষ, আৰু আপোনাৰ
সকলো লোকৰ ওপৰলৈ অহা দুখ যাতনা আপোনাৰ দৃষ্টিত যেন নগণ্য
নহওক। ৩৩ আমাৰ ওপৰত ঘটা সকলো বিষয়ত আপুনি ন্যায়ৱান
আছিল, কিয়নো আপুনি সত্যতাৰে ব্যৱহাৰ কৰিলে; কিন্তু আমি কু-
আচৰণ কৰিলোঁ। ৩৪ আমাৰ ৰজা, কোঁৱৰ, পুৰোহিত, আৰু আমাৰ
পূৰ্ব-পুৰুষসকলে আপোনাৰ বিধান পালন নকৰিলে। আপোনাৰ বিধান
আৰু আজ্ঞা অনুসাৰে সাৱধান কৰা কথালৈও তেওঁলোকে মনোযোগ
নিদিলে। ৩৫ এনেকি তেওঁলোকৰ নিজৰ ৰাজ্যত, তেওঁলোকে যেতিয়া
আপোনাৰ মহান দয়াত তেওঁলোকক দিয়া বৃহৎ আৰু উৰ্বৰা দেশ
উপভোগ কৰিছিল, তেতিয়াও তেওঁলোকে আপোনাৰ সেৱা-ভক্তি
কৰা নাছিল, আৰু তেওঁলোকৰ কু-আচৰণ ত্যাগ কৰা নাছিল। ৩৬
বৰ্তমান আমি বন্দী, আপুনি আমাৰ পূৰ্ব-পুৰুষ সকলক ইয়াৰ ফল আৰু
উত্তম বস্তু উপভোগ কৰিবলৈ দিছিল। চাওক, আমি সেই দেশতেই
বন্দী হৈ আছোঁ। ৩৭ আমাৰ পাপৰ বাবে আমাৰ ওপৰত নিযুক্ত কৰা
ৰজাসকললৈ আমাৰ দেশত উৎপন্ন হোৱা উত্তম শস্যবোৰ যায়।
তেওঁলোকে ভাল পোৱাৰ দৰেই আমাৰ শৰীৰৰ আৰু আমাৰ জীৱ-
জন্তুবোৰৰ ওপৰত ৰাজত্ব কৰে। সেয়ে আমি বৰ দুখত আছোঁ। ৩৮
এই সকলোৰ কাৰণে, আমি লিখিতভাৱে প্ৰতিজ্ঞাবদ্ধ হ'লো, আমাৰ

কোঁৱৰ, লেবীয়া আৰু পুৰোহিতসকলৰ নামেৰে সেই নথি পত্ৰ মোহৰ
মৰা হ'ল।"

১০ যিসকলৰ নাম মোহৰ মৰা আছিল, তেওঁলোক হ'ল: হখলিয়াৰ
পুত্ৰ নহিমিয়া, তেওঁ দেশাধ্যক্ষ আছিল, পুৰোহিত চিদিকিয়া, ২ চৰায়া,
অজৰিয়া, যিৰিমিয়া, ৩ পচহুৰ, অমৰিয়া, মল্কিয়া, ৪ হত্তুচ, চবনিয়া,
মল্লুক, ৫ হাৰীম, মৰেমোৎ, ওবদিয়া, ৬ দানিয়েল, গিন্নথোন, বাৰূক,
৭ মচুল্লম, অবিয়া, মিয়ামীন, ৮ মাজিয়া বিলগয়, আৰু চময়া এওঁলোক
পুৰোহিত আছিল। ৯ লেবীয়া লোক সকল: অজনিয়াৰ পুত্ৰ যেচুৱা,
হেনাদদৰ পৰিয়ালৰ বিন্নুই, কদ্মীয়েল, ১০ আৰু তেওঁলোকৰ লগৰীয়া
সকল চবনিয়া, হোদিয়া, কলীটা, পলায়া, হানন, ১১ মীখা, ৰহোব,
হচবিয়া, ১২ জুক্কৰ, চেৰেবিয়া, চবনিয়া, ১৩ হোদিয়া, বানী, বনীনু,
১৪ লোকসকলৰ মাজৰ মূখ্য লোক: পৰিয়োচ, পহৎ-মোৱাব, এলম,
জত্তু, বানী, ১৫ বুন্নী, অজগদ, বেবয়, ১৬ অদোনিয়া, বিগবয়, আদীন,
১৭ আটেৰ, হিষ্কিয়া, অৰ্জ্জুৰ, ১৮ হোদিয়া, হাচুম, বেচয়, ১৯ হাৰীফ,
অনাথোৎ, নোবয়, ২০ মগপীয়চ, মচুল্লম, হেজীৰ, ২১ মচেজবেল,
চাদোক, যদ্দুৱা, ২২ পল্টিয়া, হানন, অনায়া, ২৩ হোচেয়া, হননিয়া,
হচুব, ২৪ হল্লোহেচ, পিলহা, চোবেক, ২৫ ৰহূম, হচবনা, মাচেয়া, ২৬
অহিয়া, হানন, আনন, ২৭ মল্লুক, হাৰীম, আৰু বানা। ২৮ অৱশিষ্ট
লোকসকল, যেনে পুৰোহিত, লেবীয়া, দুৱৰী, গায়ক, মন্দিৰৰ দাস আৰু
যিসকলে ওচৰচুবুৰীয়া দেশৰ পৰা নিজকে পৃথক কৰিলে, তেওঁলোকে
নিজকে ঈশ্বৰৰ বিধিত প্ৰতিজ্ঞাবদ্ধ হ'ল। তেওঁলোকৰ ভাৰ্যা, ল'ৰা-
ছোৱালীসকল যাৰ বুজিব পৰা শক্তি আৰু জ্ঞান আছিল, ২৯ তেওঁলোকৰ
ভাইসকল আৰু প্ৰধান লোকসকলৰ সৈতে তেওঁলোক একেলগ হৈ
ঈশ্বৰৰ দাস মোচিয়ে দিয়া শাও আৰু প্ৰতিজ্ঞাৰ যোগেদি বাধ্যত পৰি
ঈশ্বৰৰ ব্যৱস্থা অনুসাৰে চলিলে। আমাৰ যিহোৱাৰ আজ্ঞা, শাসন
প্ৰণালী, আৰু বিধিবোৰ নিৰিক্ষণ কৰি পালন কৰিবলৈ প্ৰতিজ্ঞাৱদ্ধ
হ'ল। ৩০ আমি প্ৰতিজ্ঞা কৰোঁ যে, আমি আমাৰ ছোৱালীক আন
দেশৰ লোকলৈ বিয়া নিদিওঁ আৰু আমাৰ পুত্ৰৰ বাবেও আন দেশৰ
ছোৱালী বিয়া কৰাই নানো। ৩১ আমি এয়াও প্ৰতিজ্ঞা কৰোঁ যে, আন

দেশৰ লোকসকলে যদি বিশ্ৰাম-বাৰে কোনো বস্তু বা শস্য বেচিবলৈ
আনে, তেওঁলোকৰ পৰা বিশ্ৰাম-বাৰ বা আন পবিত্ৰ দিনতো আমি
সেইবোৰ নিকিনোঁ। প্ৰতি সপ্তম বছৰত আমি খেতি নকৰোঁ, আৰু
আন যিহুদী সকলৰ লগত চুক্তি কৰা সকলো ধাৰ আমি ৰেহাই দিম।
৩২ আমাৰ ঈশ্বৰ যিহোৱাৰ গৃহৰ পৰিচৰ্যাৰ অৰ্থে বছৰে বছৰে এক
চেকলৰ তিনি ভাগৰ এভাগ দান দিয়া আজ্ঞা আমি গ্ৰহণ কৰিছোঁ।
৩৩ তাৰ বাবে দৰ্শন-পিঠা, প্ৰতিদিনৰ শস্য-নৈবেদ্য, বিশ্ৰামবাৰৰ
হোম-বলি, ন-জোনৰ আৰু নিৰ্ধাৰিত পৰ্ব্ববোৰ, পবিত্ৰ-নৈবেদ্যৰ, আৰু
ইস্ৰায়েলক প্ৰায়চিত্ত কৰিবৰ অৰ্থে পাপাৰ্থক বলি দিয়া আদি আমাৰ
ঈশ্বৰৰ গৃহৰ সকলো কাৰ্যৰ কাৰণে এই সকলো কৰিম। ৩৪ বিধানত
লিখা অনুসাৰে আমাৰ ঈশ্বৰ যিহোৱাৰ পবিত্ৰ বেদিত খৰি জ্বলাবলৈ
পুৰোহিত, লেবীয়া আৰু লোকসকলে খৰিৰ বাবে চিঠি খেলালে। আমাৰ
পৰিয়াল অনুসাৰে বছৰে বছৰে নিৰূপণ কৰা সময়ত আমাৰ ঈশ্বৰৰ
যিহোৱাৰ গৃহলৈ খৰি আনিবলৈ চিঠি খেলাৰ যোগেদি বাছনি হ'ল। ৩৫
আমাৰ মাটিত উৎপন্ন হোৱা শস্যৰ আগভাগ আৰু সকলো প্ৰকাৰ গছৰ
ফলৰ আগভাগ বছৰে বছৰে যিহোৱাৰ গৃহলৈ আনিবলৈ আমি প্ৰতিজ্ঞা
কৰিলোঁ। ৩৬ বিধানত লিখাৰ দৰে, আমাৰ জন্ম হোৱা প্ৰথম পুত্ৰ, আৰু
আমাৰ গৰু, মেৰ-ছাগ, আৰু ছাগলীৰ জাকবোৰৰ প্ৰথমে জগা জন্তু
ঈশ্বৰৰ গৃহলৈ, আৰু আমাৰ ঈশ্বৰৰ গৃহৰ পৰিচৰ্যা কৰা পুৰোহিতৰ
ওচৰলৈ আনিবলৈ আমি প্ৰতিজ্ঞা কৰিলোঁ। ৩৭ আমি আমাৰ আটাৰ
লদাৰ আগভাগ, শস্য নৈবেদ্য, প্ৰত্যেক গছৰ ফল, নতুন দ্ৰাক্ষাৰস,
তেল, আমাৰ ঈশ্বৰৰ গৃহৰ গুদামলৈ আৰু পুৰোহিতসকলৰ ওচৰলৈ
আনিম। আমাৰ মাটিত উৎপন্ন হোৱা শস্যৰ দশম ভাগ লেবীয়া সকলৰ
ওচৰলৈ আমি আনিম, কাৰণ আমি কাম কৰা নগৰ বোৰৰ পৰা
লেবীয়াসকলে দশমভাগ আদায় কৰে। ৩৮ লেবীয়াসকলে দশমভাগ
লোৱাৰ সময়ত হাৰোণৰ বংশৰ এজন পুৰোহিত লেবীয়াসকলৰ লগত
থকা উচিত। লেবীয়া সকলে দশম ভাগৰ দশম ভাগ আমাৰ ঈশ্বৰৰ
গৃহৰ ভঁৰালৰ গুদামলৈ আনিব লাগে। ৩৯ পবিত্ৰ বস্তুবোৰ ৰখা গুদাম,
যি ঠাইত পুৰোহিতে পৰিচৰ্যা কৰে, আৰু য'ত দুৱৰী আৰু গায়কসকল

থাকে, সেই ঠাইবোৰলৈ ইস্ৰায়েলৰ লোকসকল আৰু লেবীৰ বংশৰ
লোকসকলে শস্য, নতুন দ্ৰাক্ষাৰস, আৰু তেলৰ, বৰঙণি যোগান ধৰে।
আমাৰ ঈশ্বৰৰ গৃহক আমি অৱহেলা নকৰিম।

**১১** সেই লোক সকলৰ মুখ্য লোক সকল আৰু অৱশিষ্ট লোক সকলৰ
দহ জনৰ মাজত এজনক যিৰূচালেমত আৰু আন ন জনক বেলেগ
নগৰত বাস কৰিবলৈ দিবৰ বাবে চিঠি খেলালে। ২ আৰু যি সকলে নিজ
ইচ্ছাৰে যিৰূচালেমত বাস কৰিব খুজিছিল, তেওঁলোকক লোক সকলে
আশীৰ্ব্বাদ কৰিলে। ৩ যিৰূচালেমত বাস কৰা প্ৰাদেশীক বিষয়া সকল
এওঁলোক। যি কি নহওক, যিহূদাৰ নগৰ বোৰত থকা প্ৰতিজন লোক
আৰু তেওঁলোকৰ লগত ইস্ৰায়েলী লোক, পুৰোহিত, লেবীয়া, মন্দিৰৰ
দাস, আৰু চলোমনৰ দাস সকলৰ বংশধৰ সকলে নিজৰ দেশত বাস
কৰিলে। ৪ যিহূদাৰ বংশৰ কিছুমান আৰু বিন্যামীনৰ বংশৰ কিছুমান
লোক যিৰূচালেমত বাস কৰিলে। যিহূদাৰ পৰা অহা লোক সকলৰ
অন্তৰ্ভুক্ত সকল: পেৰচৰ বংশৰ মহলেলৰ পুত্ৰ চফটিয়া, চফটিয়াৰ
পুত্ৰ অমৰিয়া, অমৰিয়াৰ পুত্ৰ জখৰিয়া, জখৰিয়াৰ পুত্ৰ উজ্জিয়া, আৰু
উজ্জিয়াৰ পুত্ৰ অথায়া। ৫ আৰু তাত চীলোনীয়াৰ পুত্ৰ জখৰিয়া,
জখৰিয়াৰ পুত্ৰ যোয়াৰীব, যোয়াৰীবৰ পুত্ৰ অদায়া, অদায়াৰ পুত্ৰ
হজায়া, হজায়াৰ পুত্ৰ কলহোজি, কলহোজিৰ পুত্ৰ বাৰূক, আৰু বাৰূকৰ
পুত্ৰ মাচেয়া আছিল। ৬ যিৰূচালেম-নিবাসী পেৰচৰ পুত্ৰ সকল সৰ্ব্বমুঠ
চাৰি শ আঠষষ্টি জন। তেওঁলোক জাকত-জিলিকা লোক আছিল। ৭
বিন্যামীন বংশৰ পৰা এওঁলোক: ঈথীয়েলৰ পুত্ৰ যিচয়া, যিচয়াৰ পুত্ৰ
মাচেয়া, মাচেয়াৰ পুত্ৰ কোলায়া, কোলায়াৰ পুত্ৰ পদায়া, পদায়াৰ পুত্ৰ
যোৱেদ, যোৱেদৰ পুত্ৰ মচুল্লম, আৰু মচুল্লমৰ পুত্ৰ চল্লু আছিল। ৮
তেওঁৰ পাছত গব্বয় আৰু চল্লয় আছিল, সৰ্ব্বমুঠ ন শ আঠাইশ জন। ৯
জিখ্ৰীৰ পুত্ৰ যোৱেলে তেওঁলোকৰ তত্বাৱধান কৰিছিল, আৰু হচ্চনূৱাৰ
পুত্ৰ যিহূদা নগৰৰ দ্বিতীয় সেনাপতি আছিল। ১০ পুৰোহিত সকলৰ পৰা
এওঁলোক: যোয়াৰীবৰ পুত্ৰ যিদয়া, যাখীন, ১১ অহীটুবৰ পুত্ৰ মৰায়োত,
মৰায়োতৰ পুত্ৰ চাদোক, চাদোকৰ পুত্ৰ মচুল্লম, মচুল্লমৰ পুত্ৰ হিল্কিয়া,
হিল্কিয়াৰ পুত্ৰ চৰায়া ঈশ্বৰৰ গৃহৰ পৰিচালক আছিল। ১২ আৰু

তেওঁলোকৰ সহযোগী লোক যি সকলে গোষ্ঠীৰ কাম সমূহ কৰিছিল,
তেওঁলোক সৰ্ব্বমুঠ আঠ শ বাইশ জন আছিল। তেওঁলোকৰ লগতে
মল্কীয়াৰ পুত্ৰ পচহুৰ, পচহুৰৰ পুত্ৰ জখৰিয়া, জখৰিয়াৰ পুত্ৰ অমচি,
অমচিৰ পুত্ৰ পললিয়া, পললিয়াৰ পুত্ৰ যিহোৰাম, আৰু যিহোৰামৰ পুত্ৰ
অদায়া আছিল। ১৩ আৰু তেওঁৰ সহযোগী লোক, যি সকল পৰিয়ালৰ
প্ৰধান লোক আছিল, তেওঁলোক সৰ্ব্বমুঠ দুশ বিয়াল্লিশ জন আছিল।
ইম্মেৰৰ পুত্ৰ মচিল্লেমোত, মচিল্লেমোতৰ পুত্ৰ অহজয়, অহজয়ৰ পুত্ৰ
অজৰেল, আৰু অজৰেলৰ পুত্ৰ অমচচয় আছিল। ১৪ তেওঁলোকৰ
ভাইসকল সাহসী যুদ্ধাৰু লোক আছিল, তেওঁলোক সংখ্যাত সৰ্ব্বমুঠ
এশ আঠাইশ জন আছিল। হগগদোলীমৰ পুত্ৰ জব্দীয়েল তেওঁলোকক
নেতৃত্ব দিয়া বিষয়া আছিল। ১৫ আৰু লেবীয়া সকলৰ পৰা: বুন্নীৰ পুত্ৰ
হচবিয়া, হচবিয়াৰ পুত্ৰ অজ্ৰীকাম, অজ্ৰীকামৰ পুত্ৰ হচ্চুৰ, হচ্চুৰৰ পুত্ৰ
চময়া আছিল। ১৬ লেবীয়া সকলৰ মূখ্য লোকসকলৰ পৰা চবথয়
আৰু যোজাবদ আছিল, আৰু তেওঁলোক ঈশ্বৰৰ গৃহৰ বাহিৰৰ কামৰ
দায়িত্বত আছিল। ১৭ মীখাৰ পুত্ৰ আছিল মত্তনিয়া। মীখা আছিল
জব্দীৰ পুত্ৰ, জব্দী ধন্যবাদ প্ৰাৰ্থনাৰ নেতৃত্ব লোৱা পৰিচালক আছিল,
তেওঁ আচফৰ বংশৰ; আৰু বকবুকিয়া তেওঁৰ সহযোগী সকলৰ মাজত
দ্বিতীয় আছিল আৰু চম্মুৱাৰ পুত্ৰ অব্দা। চম্মুৱা আছিল গাললৰ পুত্ৰ।
গালল আছিল যিদূথূনৰ পুত্ৰ। ১৮ পবিত্ৰ নগৰত থকা লেবীয়া সকল
সৰ্ব্বমুঠ দুশ চৌৰাশী জন আছিল। ১৯ দুৱৰী সকল: অক্কুব, টলমোন,
আৰু তেওঁলোকৰ সহযোগী সকল, তেওঁলোকে দুৱাৰবোৰত পহৰা
দিছিল। তেওঁলোক সৰ্ব্বমুঠ এশ বাসত্তৰ জন আছিল। ২০ আৰু
ইস্ৰায়েলৰ অৱশিষ্ট সকলো লোক, পুৰোহিত, যিহূদাৰ সকলো নগৰত
থকা লেবীয়া সকল, প্ৰতিজনে নিজৰ নিজৰ উত্তৰাধিকাৰ সূত্ৰে পোৱা
ঠাইত বাস কৰিছিল। ২১ মন্দিৰৰ কৰ্মচাৰী সকলে ওফেলত বাস
কৰিছিল; আৰু তেওঁলোকৰ দায়িত্বত চীহা ও গিষ্পা আছিল। ২২
ঈশ্বৰৰ গৃহত সেৱাকাৰ্য কৰা গায়ক সকল আচফৰ বংশৰ আছিল।
আচফৰ বংশৰ মীখা, মীখাৰ পুত্ৰ মত্তনিয়া, মত্তনিয়াৰ পুত্ৰ হচবিয়া,
হচবিয়াৰ পুত্ৰ বানী, আৰু বানীৰ পুত্ৰ উজ্জী। উজ্জী লেবীয়া সকলৰ

প্ৰধান কৰ্মচাৰী আছিল আৰু তেওঁ যিৰূচালেমৰ সেৱাকাৰ্য কৰিছিল।
২৩ তেওঁলোক ৰজাৰ আজ্ঞাৰ অধীনত আছিল, আৰু গায়ক সকলক
প্ৰতিদিনৰ আৱশ্যক অনুসাৰে কঠোৰ আজ্ঞা দিয়া হৈছিল। ২৪ আৰু
যিহূদাৰ পুত্ৰ জেৰহ, জেৰহৰ বংশৰ মচেজবেল, মচেজবেলৰ পুত্ৰ
পথহিয়া লোকসকলৰ সকলো বিষয়ৰ বাবে ৰজাৰ ওচৰত থাকিছিল।
২৫ তেওঁলোকৰ গাওঁ আৰু পথাৰবোৰৰ কাৰণে যিহূদাৰ লোকসকলৰ
মাজৰ কিছুমান লোক কিৰিয়ৎ-অৰ্ব্ব আৰু ইয়াৰ গাওঁবোৰত, দীবোন
আৰু ইয়াৰ গাওঁবোৰত, যিকবূচেল আৰু ইয়াৰ গাওঁবোৰত, বাস
কৰিছিল। ২৬ তেওঁলোকে যেচুৱা, মোলাদাত, বৈৎ-পেলটতো বাস
কৰিছিল। ২৭ হচৰ-চূৱাল, বেৰ-চেবা আৰু ইয়াৰ গাওঁবোৰত। ২৮
আৰু চিক্লগ, মকোনা আৰু তাত থকা গাওঁবোৰত তেওঁলোকে বাস
কৰিছিল। ২৯ অয়িন-ৰিমোন, যৰাহ, যৰ্মূত, ৩০ জানোহ, অদুল্লমত,
আৰু সেইবোৰত থকা গাওঁবোৰত, লাখীচত থকা পথাৰবোৰ, অজেকা
আৰু তাত থকা গাওঁবোৰত বাস কৰিছিল। এইদৰে তেওঁলোকে বেৰ-
চেবাৰ পৰা হিন্নোমৰ উপত্যকালৈকে বাস কৰিছিল। ৩১ বিন্যামীনৰ
লোকসকল গেবাৰ পৰা আৰম্ভ কৰি, মিকমচ, অয়াত, বৈৎএলত আৰু
তাত থকা গাওঁবোৰত বাস কৰিছিল, ৩২ তেওঁলোকে অনাথোত, নোব,
অননিয়াতো তেওঁলোক বাস কৰিছিল। ৩৩ হাচোৰ, ৰামা, গিত্তয়িম,
৩৪ হাদীদ, চবোয়িম, নবল্লাট, ৩৫ লোদ, ওনো, আৰু শিল্প-কৰ্ম কৰা
সকলৰ উপত্যকাত বাস কৰিছিল। ৩৬ যিহূদাত বাস কৰা কিছুমান
লেবীয়া লোক বিন্যামীন লোকসকলৰ বাবে নিযুক্ত কৰা হৈছিল।

**১২** চল্টীয়েলৰ পুত্ৰ জৰুব্বাবিল আৰু যেচুৱাৰ লগত অহা পুৰোহিত,
আৰু লেবীয়াসকল এওঁলোক: চৰায়া, যিৰিমিয়া, ইজ্ৰা, ২ অমৰিয়া,
মল্লুক, হত্তুচ, ৩ চখনিয়া, ৰহূম, আৰু মৰেমোৎ, ৪ ইদ্দো, গিন্নথোই,
অবিয়া, ৫ মিয়ামীন, মাদীয়া, বিলগা, ৬ চময়িয়া, যোয়াৰীব, যিদয়া, ৭
চল্লু, আমোক, হিল্কিয়া, আৰু যিদয়া। এওঁলোক পুৰোহিত সকলৰ মূখ্য
লোক আৰু যেচুৱাৰ দিনত তেওঁলোকৰ সহযোগী আছিল। ৮ লেবীয়া
সকল যেচুৱা, বিন্নুই, কদ্মীয়েল, চেৰেবিয়া, যিহূদা আৰু মত্তনীয়া; এই
মত্তনিয়া আৰু তেওঁৰ সহযোগী সকল ধন্যবাদৰ গীত গোৱাসকলৰ

দায়িত্বত আছিল। ৯ বকবুকিয়া আৰু উন্নো তেওঁলোকৰ সহযোগী
আছিল, উপাসনাৰ সময়ত তেওঁলোকৰ বিপৰীতে তেওঁলোক থিয়
হৈছিল। ১০ যোয়াদাৰ পিতৃ ইলিয়াচীব, ইলিয়াচীবৰ পিতৃ যোয়াকীম,
যোয়াকীমৰ পিতৃ যেচুৱা, ১১ যদ্দুৱাৰ পিতৃ যোনাথন, আৰু যোনাথনৰ
পিতৃ যোয়াদা আছিল। ১২ যোয়াকীমৰ দিনত পুৰোহিত এওঁলোক,
এওঁলোক পিতৃ-পৰিয়ালৰ মূখ্য লোক আছিল: চৰায়াৰ মূখ্য লোক
মৰায়া, যিৰিমিয়াৰ মূখ্য লোক হননিয়া, ১৩ ইজ্ৰাৰ মূখ্য লোক মচুল্লম,
অমৰিয়াৰ মূখ্য লোক যিহোহানন, ১৪ মাল্লুকীৰ মূখ্য লোক যোনাথন,
চবনিয়াৰ মূখ্য লোক যোচেফ, ১৫ একাদিক্ৰমে, হাৰীমৰ মূখ্য লোক
অদনা, মৰায়োতৰ মূখ্য লোক হিল্কয়, ১৬ ইদ্দোৰ মূখ্য লোক জখৰিয়া,
গিন্নথোনৰ মূখ্য লোক মচুল্লম, ১৭ অবিয়াৰ মূখ্য লোক জিখ্ৰী,
তেওঁলোকৰ মাজত মিন্যামীনৰো এজন মূখ্য লোক আছিল, মোৱাদীয়া
মূখ্য লোক পিল্টয়, ১৮ বিলগাৰ মূখ্য লোক চম্মুৱা, চময়িয়াৰ মূখ্য
লোক যিহোনাথন, ১৯ যোয়াৰীবৰ মূখ্য লোক মত্তনয়, যিদয়াৰ মূখ্য
লোক উজ্জী, ২০ চল্লয়ৰ মূখ্য লোক কল্লয়, আমোকৰ মূখ্য লোক
এবৰ, ২১ হিল্কিয়াৰ মূখ্য লোক হচবিয়া, যিদয়াৰ মূখ্য লোক নথনেল
আছিল। ২২ ইলিয়াচীবৰ দিনত লেবীয়া সকল, ইলিয়াচীব, যোয়াদা,
যোহানন, আৰু যদ্দুৱা, এওঁলোক পৰিয়ালৰ মূখ্য লোক বুলি লিপিৰদ্ধ
কৰা হৈছিল। পাৰস্যৰ ৰজা দাৰিয়াবচৰ ৰাজত্বৰ সময়ত পুৰোহিত
সকলৰ নাম লিপিৰদ্ধ কৰা হৈছিল। ২৩ লেবীৰ বংশৰ লোকসকল
আৰু পৰিয়ালৰ মূখ্য লোকসকলৰ নাম ইলিয়াচীবৰ পুত্ৰ যোহাননৰ
দিনলৈকে ইতিহাস পুস্তকত লিপিৰদ্ধ কৰা আছিল। ২৪ লেবীয়াসকলৰ
মূখ্য লোক হচবিয়া, চেৰেবিয়া, কদ্মীয়েলৰ পুত্ৰ যেচুৱা, তেওঁলোকৰ
সহকৰ্মীৰ সৈতে তেওঁলোক ঈশ্বৰৰ লোক দায়ূদৰ আজ্ঞা পালন কৰি
ভাগে ভাগে সহাৰি জনায় তেওঁলোকৰ বিপৰীতে থিয় হৈ ঈশ্বৰৰ স্তুতি-
প্ৰশংসা কৰিছিল। ২৫ মত্তনীয়া, বকবুকিয়া, ওবদিয়া, মচুল্লম, টল্মোন,
আৰু অক্কুব দুৱৰী হৈ গুদামবোৰৰ দুৱাৰত থিয় হৈ পহৰা দিছিল।
২৬ যোচাদকৰ পুত্ৰ যেচুৱা, যেচুৱাৰ পুত্ৰ যোয়াকীমৰ দিনত, আৰু
দেশাধ্যক্ষ নহিমিয়াৰ দিনত পুৰোহিত আৰু অধ্যাপক ইজ্ৰা, তেওঁলোক

সকলোৰে সেৱা-কাৰ্য কৰিছিল। ২৭ যিৰূচালেমৰ দেৱাল উৎসৰ্গ
কৰাৰ সময়ত, লেবীয়াসকল যি ঠাইত আছিল, তাৰ পৰাই উচ্চ-
ধ্বনি কৰিছিল। আনন্দ, ধন্যবাদ প্ৰাৰ্থনা, স্তুতিগীত, তাল, বেহেলা, ও
বীণাৰে উৎসৰ্গ উৎসৱ পালন কৰিবলৈ লেবীয়া সকলক যিৰূচালেমলৈ
আনিছিল। ২৮ যিৰূচালেমৰ চাৰিও দিশৰ জিলা, আৰু নটোফাতীয়া
সকলৰ গাওঁবোৰৰ পৰা গায়ক সকলক সমবেত হৈ একগোট হ'ল।
২৯ তেওঁলোক বৈৎ-গিলগল, গেবা আৰু অজমাবতৰ পথাৰৰ পৰাও
আহিল। গায়ক সকলে তেওঁলোকৰ নিজৰ বাবে যিৰূচালেমৰ চাৰিও
দিশে গাওঁ পাতিলে। ৩০ পুৰোহিত আৰু লেবীয়াসকলে তেওঁলোকক
শুচি কৰিলে; আৰু তাৰ পাছত তেওঁলোকে লোকসকলক, দুৱাৰবোৰ,
আৰু দেৱাল শুচি কৰিলে। ৩১ তাৰ পাছত যিহূদাত থকা মোৰ মুখ্য
লোকসকল গড়ৰ ওপৰলৈ গ'ল, আৰু মই ধন্যবাদ প্ৰাৰ্থনাৰ বাবে এটা
ডাঙৰ গায়ক দল নিযুক্ত কৰিলোঁ। এটা দল গড়ৰ ওপৰত সোঁফালে
গোবৰ-দুৱাৰলৈ গ'ল। ৩২ হুচয়া আৰু যিহূদাৰ মুখ্য লোকৰ আধাভাগ
লোকে তেওঁলোকক অনুসৰণ কৰিলে। ৩৩ আৰু তেওঁলোকৰ পাছত
অজৰিয়া, ইষ্ৰা, মচুল্লম, ৩৪ যিহূদা, বিন্যামীন, চময়িয়া, আৰু যিৰিমিয়া
গ'ল। ৩৫ তুৰীয়ে সৈতে পুৰোহিতৰ পুত্ৰ সকলৰ কিছুমান লোক, আৰু
আচফৰ বংশৰ জুক্কুৰৰ পুত্ৰ মীখায়া, মীখায়াৰ পুত্ৰ মত্তনীয়া, মত্তনিয়াৰ
পুত্ৰ চময়িয়া, চময়িয়াৰ পুত্ৰ যোনাথন, আৰু যোনাথনৰ পুত্ৰ জখৰিয়া
আছিল। ৩৬ ইয়াত জখৰিয়াৰ সম্পৰ্কীয় সকলো আছিল। তেওঁলোক
চময়িয়া, অজৰেল, মিললয়, গিললয়, মাৱয়, নথনেল, যিহূদা, আৰু
হাননী ঈশ্বৰৰ লোক দায়ুদৰ বাদ্য যন্ত্ৰ বজাইছিল। অধ্যাপক ইষ্ৰা
তেওঁলোকৰ সন্মুখত আছিল। ৩৭ তেওঁলোকে ভুমুক-দুৱাৰ হৈ দায়ূদৰ
নগৰৰ খটখটিয়েদি দেৱাললৈ উঠি দায়ুদৰ ৰাজপ্ৰসাদ পাৰ হৈ পূব
দিশৰ জল-দুৱাৰলৈকে গ'ল। ৩৮ আৰু ধন্যবাদ প্ৰাৰ্থনা কৰা আন এটা
গায়ক দল আন দিশে গ'ল। মই লোকসকলৰ আধা সংখ্যক লোকক
লগত লৈ তেওঁলোকক অনুসৰণ কৰিলোঁ। তেওঁলোকে দেৱালৰ ওপৰে
ওপৰে তন্দুৰৰ কোঁঠ পাৰ হৈ বহল দেৱাললৈকে, ৩৯ আৰু ইফ্ৰয়িমৰ
দুৱাৰ হৈ, পুৰণি দুৱাৰ, মৎস্য-দুৱাৰ, হননেলৰ কোঁঠ, হম্মেয়া কোঁঠেদি

মেৰ-ছাগদুৱাৰলৈকে গ'ল, আৰু তেওঁলোক গৈ প্ৰহৰী দুৱাৰত ৰখিল।
৪০ এইদৰে, ধন্যবাদ দি যোৱা সেই দুয়োটা দলে ঈশ্বৰৰ গৃহত নিজৰ
স্থান ল'লে, আৰু মই মোৰ লগত থকা আধা কৰ্মচাৰীৰ সৈতে নিজৰ
স্থান ল'লোঁ। ৪১ আৰু পুৰোহিত সকলে তেওঁলোকৰ স্থান ল'লে:
তূৰী লগত লৈ পুৰোহিত ইলিয়াকীম, মাচেয়া, মিন্যামীন, মীখায়া,
ইলীয়োঐনয়, জখৰিয়া, আৰু হননিয়া, ৪২ মাচেয়া, চময়া, ইলিয়াজৰ,
উজ্জী, যিহোহানন, মল্কিয়া, এলম, আৰু এজৰ আছিল। গায়ক সকলে
তেওঁলোকৰ পৰিচালক যিজ্ৰহিয়াই সৈতে গান গালে। ৪৩ সেই
দিনা লোকসকলে মহৎ বলিদান কৰি আনন্দ কৰিলে; কাৰণ ঈশ্বৰে
তেওঁলোকক মহা-আনন্দেৰে আনন্দিত কৰিছিল। মহিলা আৰু ল'ৰা-
ছোৱালীয়েও আনন্দ কৰিলে। এই হেতুকে বহুত দুৰলৈকে যিৰূচালেমৰ
আনন্দ-ধ্বনি শুনা গৈছিল। ৪৪ সেইদিনা বৰঙনিৰ বাবে দিয়া ফলৰ
আগভাগ, আৰু দশম ভাগ থোৱা ভঁৰালৰ দায়িত্বত লোকসকলক নিযুক্ত
কৰিলে। ইয়াৰ সকলোৰ পৰা পুৰোহিত আৰু লেবীয়া সকলৰ প্ৰয়োজন
অনুযায়ী বিধানত দিয়াৰ দৰে কিছু অংশ তেওঁলোকৰ বাবে গোটোৱা
হৈছিল। নগৰৰ ওচৰত থকা পথাৰত কাম কৰিবৰ বাবে প্ৰতিজনক
নিযুক্ত কৰা হৈছিল। তেওঁলোকৰ সন্মুখত থিয় হোৱা পুৰোহিত আৰু
লেবীয়া সকলে বাবে যিহূদাই আনন্দ কৰিছিল। ৪৫ দায়ুদ আৰু তেওঁৰ
পুত্ৰ চলোমনৰ আজ্ঞা অনুসাৰে গায়ক আৰু দুৱৰীসকলে কৰাৰ দৰে
তেওঁলোকে তেওঁলোকৰ ঈশ্বৰৰ সেৱা-কাৰ্য আৰু শুচি কৰা কাৰ্য সম্পন্ন
কৰিছিল। ৪৬ বহু দিনৰ পূৰ্বতে, দায়ুদ আৰু আচফৰ সময়ত তাত
গায়ক সকলৰ পৰিচালক আছিল, আৰু ঈশ্বৰৰ উদ্দেশ্যে ধন্যবাদ
প্ৰশংসাৰ স্তুতিগীত কৰিছিল। ৪৭ জৰুব্বাবিল আৰু নহিমিয়াৰ দিনত
ইস্ৰায়েলৰ লোকসকলে প্ৰতিদিনৰ প্ৰয়োজন অনুসাৰে গায়ক আৰু
দুৱৰী সকলক প্ৰতিদিনৰ অংশ দিছিল। তেওঁলোকে লেবীয়া সকলৰ
বাবে কিছু অংশ আৰু লেবীয়া সকলে হাৰোণৰ বংশৰ লোক সকলৰ
বাবে কিছু অংশ পৃথক কৰি ৰাখিছিল।

**১৩** সেই দিনা, লোকসকলে শুনিব পৰাকৈ মোচিৰ বিধান-পুস্তক
পাঠ কৰা হৈছিল। বিধান-পুস্তকত লিখা অনুসাৰে গ'ম পোৱা গ'ল যে,

“অম্মোনীয়া বা মোৱাবীয়া লোকসকল কেতিয়াও ঈশ্বৰৰ মহাসভালৈ
আহিব নোৱাৰিব।” ২ এইদৰে কৰা হৈছিল কাৰণ, তেওঁলোক
ইস্রায়েলৰ লোকসকলৰ ওচৰলৈ পিঠা আৰু পানী লৈ অহা নাছিল। বৰঞ্চ
ইস্রায়েলক শাও দিবলৈ তেওঁলোকে বিলিয়মক ভাড়া কৰি আনিছিল।
অৱশ্যে আমাৰ ঈশ্বৰে সেই শাওক আশীৰ্ব্বাদলৈ ৰূপান্তৰ কৰিলে। ৩
তেওঁলোকে এই বিধান শুনাৰ লগে লগে প্ৰত্যেক বিদেশী লোকসকলক
ইস্রায়েলৰ পৰা পৃথক কৰিলে। ৪ এই ঘটনাৰ আগেয়ে আমাৰ
ঈশ্বৰৰ গৃহৰ ভঁৰালৰ ওপৰত পুৰোহিত ইলিয়াচীবক নিযুক্ত কৰিছিল।
তেওঁ টোবিয়াৰ সম্পৰ্কীয় লোক আছিল। ৫ পুৰোহিত ইলিয়াচীবে
টোবিয়াৰ বাবে এটা ডাঙৰ ভঁৰাল প্ৰস্তুত কৰিলে। যি ঠাইত পূৰ্বতে
লোকসকলে শস্য নৈবেদ্য, ধূপ-ধূনা, বস্তুবোৰ, শস্যৰ দশম ভাগ,
নতুন দ্ৰাক্ষাৰস, আৰু তেল, লেবীয়া সকলৰ নামেৰে, আৰু পুৰোহিত
সকলৰ বৰঙনিৰ বাবে ৰখা হৈছিল। ৬ কিন্তু এই সকলো ঘটনাৰ
সময়ত মই যিৰূচালেমত নাছিলোঁ। কাৰণ বাবিলৰ ৰজা অৰ্তক্ষত্ৰৰ
ৰাজত্বৰ বত্ৰিশ বছৰত মই ৰজাৰ ওচৰলৈ গৈছিলোঁ। কিছুদিনৰ পাছত
মই ৰজাৰ পৰা ছুটিৰ বাবে অনুমতি ল’লো। ৭ মই যিৰূচালেমলৈ ঘূৰি
আহিলোঁ। ইলিয়াচীবে ঈশ্বৰৰ গৃহৰ চোতালত টোবিয়াক ভঁৰাল দি
কৰা কু-কৰ্ম মই বুজি পালোঁ। ৮ মই অতিশয় ক্ৰোধিত হৈছিলোঁ,
আৰু ভঁৰালৰ পৰা টোবিয়াৰ ঘৰৰ সকলো বস্তু দলিয়াই পেলালোঁ।
৯ মই ভঁৰালবোৰ শুচি কৰিবলৈ আদেশ দিলোঁ, আৰু সেই ঠাইলৈ
ঈশ্বৰৰ গৃহৰ বস্তুবোৰ, শস্য নৈবেদ্যৰ বস্তুবোৰ আৰু ধূপ-ধূনা পুনৰ
আনি থলোঁ। ১০ মই জানিবলৈ পালোঁ যে, লেবীয়া সকলৰ বাবে
নিযুক্ত কৰা অংশ তেওঁলোকক ভগাই দিয়া নাছিল। সেয়ে তেওঁলোকে
মন্দিৰ ত্যাগ কৰি প্ৰতিজনে নিজৰ নিজৰ পথাৰলৈ যাবলৈ খৰধৰ
কৰিলে। কাম কৰা গায়ক সকলেও সেইদৰে কৰিলে। ১১ তেতিয়া মই
কৰ্মচাৰী সকলৰ সৈতে বিবাদ কৰি ক’লো, “ঈশ্বৰৰ গৃহ কিয় অৱহেলা
কৰা হৈছে?” পাছত মই তেওঁলোকক গোটাই আনি প্ৰতিজনক নিজ
নিজ পদত স্থাপন কৰিলোঁ। ১২ তেতিয়া সকলো যিহুদী লোকে শস্য,
নতুন দ্ৰাক্ষাৰসৰ, আৰু তেলৰ দশমভাগ ভঁৰাললৈ আনিলে। ১৩ মই

চেলেমিয়া পুৰোহিত, চাদোক অধ্যাপক, আৰু লেবীয়া সকলৰ পৰা
পদায়াক ভঁৰাল ঘৰৰ কোষাধ্যক্ষ নিযুক্ত কৰিলোঁ। তেওঁলোকৰ পাছত
মত্তনীয়া পুত্ৰ জুক্কুৰ, জুক্কুৰৰ পুত্ৰ হাননক কোষাধ্যক্ষ পাতিলোঁ; কাৰণ
তেওঁলোক বিশ্বাসযোগ্য বুলি গণিত হৈছিল। তেওঁলোকৰ সহযোগী
সকলৰ যোগান ধৰিবলৈ বস্তু ভগাই দিয়াই তেওঁলোকৰ কাম আছিল।
১৪ হে মোৰ ঈশ্বৰ, এই বিষয়ে মোক সোঁৱৰণ কৰক; আৰু মোৰ ঈশ্বৰৰ
গৃহৰ অৰ্থে কৰা উত্তম কাৰ্যবোৰ মচি নেপেলাব। ১৫ সেই দিনবোৰত
মই যিহূদাৰ লোকসকলক বিশ্ৰাম-বাৰে দ্ৰাক্ষাগুটি পেৰা, শস্যৰ ডাঙৰি
আনি গাধত বোজাই দিয়া, আৰু বিশ্ৰাম-বাৰে দ্ৰাক্ষাৰস, দ্ৰাক্ষাগুটি,
আৰু ডিমৰুগুটি আদি সকলোবিধ বস্তুৰ গধুৰ বোজাও যিৰূচালেমলৈ
অনা দেখিলোঁ। মই তেওঁলোকে সেই দিনা খোৱা বস্তু বিক্ৰী কৰাৰ
কথাৰ বিৰুদ্ধিতা কৰিলোঁ। ১৬ যিৰূচালেমত বাস কৰা তূৰৰ পৰা অহা
লোকসকলে মাছ আৰু সকলো বিধৰ বস্তুবোৰ আনিছিল, আৰু বিশ্ৰাম-
বাৰে যিহূদা আৰু নগৰৰ লোকসকলক সেইবোৰ বিক্ৰী কৰিছিল।
১৭ তেতিয়া মই যিহূদাৰ প্ৰধান লোকসকলৰ লগত বিবাদ কৰি
তেওঁলোকক ক'লো, “আপোনালোকে যে বিশ্ৰাম-বাৰ অপবিত্ৰ কৰি,
এইবোৰ কি কুকৰ্ম কৰিছে? ১৮ আপোনালোকৰ পিতৃ সকলে এইদৰে
কৰা নাছিল নে? আৰু আমাৰ ঈশ্বৰে জানো আমাৰ আৰু এই নগৰৰ
ওপৰত এইবোৰ দুৰ্দশা ঘটোৱা নাছিল নে? তথাপিও আপোনালোকে
বিশ্ৰাম-বাৰ অপবিত্ৰ কৰি ইস্ৰায়েলৰ ওপৰলৈ ক্ৰোধাগ্নি পুনৰ অধিককৈ
আনিব খুজিছে?” ১৯ বিশ্ৰাম-বাৰৰ আগেয়েই আন্ধাৰ হোৱাৰ লগে
লগে যিৰূচালেমৰ দুৱাৰবোৰ বন্ধ কৰিবলৈ আৰু বিশ্ৰাম-বাৰ শেষ
নোহোৱালৈকে দুৱাৰবোৰ খুলি নিদিবলৈ মই আদেশ দিলোঁ। বিশ্ৰাম-
বাৰে কোনো বোজা ভিতৰলৈ যেন অনা নহয়, এই কাৰণে মই মোৰ
কিছুমান দাসক দুৱাৰত নিযুক্তি কৰিলোঁ। ২০ তাতে বণিক সকল আৰু
সকলোবিধ বস্তু বিক্ৰী কৰা সকল এবাৰ, দুবাৰ যিৰূচালেমৰ বাহিৰত
থাকিল। ২১ কিন্তু মই তেওঁলোকক সাৱধান কৰিলোঁ, “আপোনালোকে
কিয় দেৱালৰ বাহিৰত তম্বু তৰিছে? যদি আপোনালোকে এইদৰে
পুনৰ কৰে, তেনেহলে মই আপোনালোকক শাস্তি দিম!” সেই সময়ৰ

পৰাই তেওঁলোক বিশ্ৰাম-বাৰে অহা নাছিল। ২২ তাৰ পাছত বিশ্ৰামবাৰ
পবিত্ৰ কৰিবলৈ লেবীয়া সকল নিজকে নিজে শুচি কৰি আহি দুৱাৰবোৰ
ৰখিবলৈ মই আদেশ দিলোঁ। হে মোৰ ঈশ্বৰ, এই বিষয়তো মোক
সোঁৱৰণ কৰক; মোক দয়া কৰক আৰু আপোনাৰ নিয়ম অনুসাৰে
মোলৈ কৃপা কৰক। ২৩ সেই দিনবোৰত মই দেখিবলৈ পালোঁ যে,
যিহুদী লোকসকলে, অচ্‌দোদীয়া, অম্মোনীয়া, আৰু মোৱাবীয়া মহিলাক
বিয়া কৰিছিল। ২৪ তেওঁলোকৰ আধা সংখ্যক সন্তানে অচদোদীয়া
ভাষা কয়, কিন্তু তেওঁলোকে ইব্ৰী ভাষা ক'ব নাজানে। নিজৰ নিজৰ
জাতিৰ ভাষা অনুসাৰে কথা কয়। ২৫ তাতে মই তেওঁলোকৰ লগত
বিবাদ কৰিলোঁ আৰু তেওঁলোকক শাও দিলোঁ। তেওঁলোকৰ কিছুমান
লোকক কোবাই তেওঁলোকৰ চুলি চিঙিলোঁ। মই তেওঁলোকক ঈশ্বৰৰ
নামেৰে শপত দি কলোঁ, “আপোনালোকে আপোনালোকৰ ছোৱালীক
তেওঁলোকৰ পুত্ৰলৈ বিয়া নিদিব, আৰু আপোলোকৰ পুত্ৰলৈ বা নিজৰ
বাবেও তেওঁলোকৰ ছোৱালীক বিয়া কৰাই নানিব।” ২৬ ইস্ৰায়েলৰ
ৰজা চলোমনে এই মহিলা সকলৰ কাৰণেই জানো পাপ কৰা নাছিল?
অনেক দেশৰ মাজত তেওঁৰ নিচিনা কোনো ৰজা নাছিল; আৰু তেওঁ
নিজৰ ঈশ্বৰৰ প্ৰিয়পাত্ৰ আছিল। ঈশ্বৰে তেওঁক গোটেই ইস্ৰায়েলৰ
ওপৰত ৰজা পাতিছিল, তথাপি বিদেশী ভাৰ্যাই তেওঁকো পাপ কৰালে।
২৭ তেনেহলে বিদেশী মহিলা বিয়া কৰাৰ দ্বাৰাই ঈশ্বৰৰ বিৰুদ্ধে
আনুগত্যহীন কাৰ্য কৰি আৰু সকলো কু-কাৰ্য কৰি আমি আপোলোকৰ
কথা শুনিম নে? ২৮ ইলিয়াচীব প্ৰধান পুৰোহিতৰ পুত্ৰ যোয়াদা,
যোয়াদাৰ এজন পুত্ৰ হোৰোণীয়া চনবল্লটৰ জোঁৱায়েক আছিল। সেই
কাৰণে মই শাৰীৰিকভাৱে মোৰ সন্মুখৰ পৰা আতৰ কৰিলোঁ। ২৯ হে
মোৰ ঈশ্বৰ, তেওঁলোকক সোঁৱৰণ কৰক; কাৰণ তেওঁলোকে পুৰোহিত
পদ, পুৰোহিত-পদৰ আৰু লেবীয়া সকলৰ নিয়ম কুলষিত কৰিলে।
৩০ সেই কাৰণে মই সকলো বিদেশী বস্তুৰ পৰা তেওঁলোকক শুচি
কৰিলোঁ, আৰু প্ৰতিজনৰ কাৰ্য অনুসাৰে পুৰোহিত আৰু লেবীয়া সকলৰ
দায়িত্ব সু-দৃঢ় কৰিলোঁ। ৩১ নিৰূপিত সময়ত খৰি আৰু ফলৰ আগ ভাগ
দান দিলোঁ। হে মোৰ ঈশ্বৰ, মঙ্গলৰ অৰ্থে মোক সোঁৱৰণ কৰক।

# এস্থাৰ

১ ৰজা অহচবেৰোচৰ দিনত (ৰজা অহচবেৰোচে ভাৰতবৰ্ষৰ পৰা কুচ
দেশলৈকে এশ সাতাইশ খন প্ৰদেশৰ ওপৰত ৰাজত্ব কৰিছিল); ২ সেই
সময়ত, ৰজা অহচবেৰোচে চুচন ৰাজপ্ৰসাদত নিজৰ ৰাজসিংহাসনত
বহিল। ৩ তেওঁৰ ৰাজত্বৰ তৃতীয় বছৰত তেওঁৰ সকলো কৰ্মচাৰী
আৰু দাসৰ বাবে তেওঁ ভোজ পাতিলে। পাৰস্য আৰু মাদিয়াৰ সৈন্য,
উচ্চ পদবীধাৰী লোক, আৰু প্ৰদেশৰ অধ্যক্ষ সকল তেওঁৰ আগত
উপস্থিত হ’ল। ৪ তেওঁ অনেক দিন, অৰ্থাৎ এশ আশী দিনলৈকে
নিজৰ প্ৰতাপান্বিত ৰাজ্যৰ ঐশ্চৰ্য্য, আৰু উৎকৃষ্ট মাহাত্ম্যৰ গৌৰৱ
দেখুৱালে। ৫ সেই দিনবোৰ যেতিয়া সম্পূৰ্ন হ’ল, তেতিয়া ৰজাই
সাত দিনলৈকে ভোজ দিলে। চুচনৰ ৰাজ-কোঁঠত উপস্থিত হোৱা সৰু
কি বৰ সকলো প্ৰজাৰ কাৰণে তেওঁ ভোজ দিলে। এই ভোজ ৰাজ-
গৃহৰ বাগিছাৰ চোতালত দিলে। ৬ বাগিছাৰ চোতাল খন বগা আৰু
বেঙুনীয়া কপাহী পৰ্দাৰে সজোৱা হৈছিল। পৰ্দাবোৰ মিহি শণ সুতা
আৰু ৰঙা-বেঙেনা বৰণীয়া ৰচিৰে মমৰ শিলৰ খুটাত লগোৱা ৰূপৰ
আঙুঠিত বন্ধা আছিল। ইয়াত বিচিত্ৰ চানেকীৰে টান শিলেৰে বন্ধা পদ
পথ, মৰ্মৰ শিল, মুকুতা আৰু চেপেটা শিলাখণ্ডত সোণৰ আৰু ৰূপৰ
আসনবোৰ আছিল। ৭ তেওঁলোকক সোণৰ পিয়লাত পান কৰোঁৱা
হৈছিল। প্ৰতিটো পিয়লা তুলনাহীন আছিল। ৰজাৰ মহত্ত্বতাৰ কাৰণে
অধিক ৰাজকীয় দ্ৰাক্ষাৰস তেওঁলোকক দিয়া হৈছিল। ৮ তেওঁলোকে
বিধি অনুসাৰে দ্ৰাক্ষাৰস পান কৰিছিল, “দ্ৰাক্ষাৰস পান কৰাটো বাধ্যতা
মূলক নাছিল।” কাৰণ যাৰ যি ইচ্ছা, তেওঁ সেই দৰে যেন কৰিব পাৰে,
সেই বাবে ৰজাই তেওঁৰ ৰাজপ্ৰসাদৰ কৰ্মচাৰী সকলক আজ্ঞা দিছিল।
৯ ৰাণী বষ্টীয়েও অহচবেৰোচৰ ৰাজপ্ৰসাদত মহিলা সকলৰ বাবে
ভোজ দিলে। ১০ সপ্তম দিনৰ দিনা ৰজাই দ্ৰাক্ষাৰস পান কৰি প্ৰফুল্লিত
হৈ আছিল, আৰু তেওঁ মহূমন, বিজথা, হৰ্বোনা, বিগথা, অবগথা,
জেথৰ, আৰু কৰ্কচক (ৰজা অহচবেৰোচৰ আগত পৰিচৰ্যা কৰা এই
সাত জন কৰ্মচাৰী), ১১ ৰাণী বষ্টীক তেওঁৰ ৰাজমুকুটৰ সৈতে তেওঁৰ
ওচৰলৈ আনিবলৈ ক’লে। তেওঁ লোকসকলক আৰু কৰ্মচাৰী সকলক

ৰাণীৰ সৌন্দৰ্য দেখুৱাব বিচাৰিছিল, কাৰণ তেওঁৰ মুখমণ্ডল অতি
আকৰ্ষণীয় আছিল। ১২ কিন্তু কৰ্মচাৰী সকলৰ দ্বাৰাই ৰজাই তেওঁৰ
ওচৰলৈ আনিবলৈ দিয়া আজ্ঞা ৰাণী ৱষ্টীয়ে মানিবলৈ অসন্মত হ'ল।
তাতে ৰজাই ক্ৰোধান্বিত হ'ল, আৰু তেওঁৰ অন্তৰত ক্ৰোধাগ্নি জ্বলি
উঠিল। ১৩ তাৰ পাছত ৰজাই জ্ঞানীলোক আৰু যি সকলে সময়ৰ
মূল্য বুজে তেওঁলোকৰ লগত আলোচনা কৰিলে, (কিয়নো বিচাৰ আৰু
ব্যৱস্থা জনা সকললৈ ৰজাই সেইদৰে কৰে)। ১৪ সেই সময়ত তেওঁৰ
অতি ঘনিষ্ট পাৰস্য আৰু মাদিয়াৰ সাত জন কোঁৱৰ এওঁলোক: কৰ্চনা,
চেথৰ, অদমথা, তৰ্চীচ, মেৰচ, মৰ্চনা, আৰু মমুকণ। এওঁলোকৰ ৰজাৰ
ওচৰলৈ যোৱাৰ অধিকাৰ আছিল, আৰু তেওঁলোকে ৰাজ্যৰ ভিতৰত
উচ্চখাপৰ কাৰ্যালয় স্থাপন কৰিছিল। ১৫ ৰাণী ৱষ্টীয়ে কৰ্মচাৰীৰ দ্বাৰাই
পঠোৱা, ৰজা অহচবেৰোচৰ আজ্ঞা অমান্য কৰিছিল। সেয়ে বিধি
অনুসাৰে ৰাণী ৱষ্টীৰ প্ৰতি কি কৰা হ'ব?" ১৬ তেতিয়া মমুকণে ৰজা
আৰু কৰ্মচাৰী সকলৰ উপস্থিতিত ক'লে, "ৰাণী ৱষ্টীয়ে যে কেৱল
মহাৰাজৰ বিৰুদ্ধে অপৰাধ কৰিলে, এনে নহয়; কিন্তু সকলো কৰ্মচাৰী,
আৰু অহচবেৰোচ ৰজাৰ প্ৰদেশত থকা সকলো লোকৰ বিৰুদ্ধে অপৰাধ
কৰিলে। ১৭ কাৰণ ৰাণীৰ এই কাৰ্যৰ বিষয়ে সকলো মহিলা জ্ঞাত
হ'ব। ইয়াৰ বাবে মহিলা সকলে নিজৰ স্বামীক সেইদৰেই তুচ্ছ জ্ঞান
কৰিব। মহিলা সকলে ক'ব, 'অহচবেৰোচ ৰজাই ৰাণী ৱষ্টীক তেওঁৰ
ওচৰলৈ আনিবলৈ আজ্ঞা দিছিল, কিন্তু তেওঁ আজ্ঞা অমান্য কৰিছিল।'
১৮ ৰাণীৰ এই কৰ্মৰ বিষয়ে পাৰস্য আৰু মাদিয়াৰ ভদ্ৰ মহিলা সকলে
শুনি সেই দিনটো অতিক্ৰম নোহোৱাৰ আগতে ৰজা আৰু কৰ্মচাৰী
সকলক সেইদৰে ক'ব। সেয়ে এই কথা বহুত অপমান আৰু ক্ৰোধৰ
বিষয় হ'ব। ১৯ যদি এই কথাই মহাৰাজক সন্তুষ্ট কৰে, তেনেহলে
'ৰাণী ৱষ্টী অহচবেৰোচ ৰজাৰ ওচৰলৈ পুনৰ আহিবলৈ নাপাব'; এই
ৰাজ আজ্ঞা আপোনাৰ মুখৰ পৰা ওলাওক, আৰু ইয়াৰ যেন লৰ-চৰ
নহয়। এই কাৰণে ইয়াক পাৰস্য আৰু মাদিয়া সকলৰ বিধিত লিখা
হওক। তাৰ পাছত মহাৰাজে তেওঁৰ ৰাণীপদ তেওঁতকৈ উত্তম মহিলা
এগৰাকীক দিয়ক। ২০ মহাৰাজে দিয়া আজ্ঞা যেতিয়া তেওঁৰ ৰাজ্যৰ

সকলো ফালে ঘোষণা কৰা যাব, তেতিয়া সৰু কি বৰ সকলো মহিলাই
নিজৰ নিজৰ স্বামীক সন্মান কৰিব।” ২১ তেতিয়া এই কথাত ৰজা আৰু
প্ৰধান লোকসকল সন্তুষ্ট হ’ল; আৰু ৰজাই মমুকণে দিয়া প্ৰস্তাৱৰ দৰেই
কৰিলে। ২২ তেওঁ সকলো ৰাজকীয় প্ৰদেশলৈ প্ৰতিখন প্ৰদেশৰ নিজৰ
আখৰ অনুসাৰে আৰু প্ৰত্যেক লোকলৈ তেওঁলোকৰ ভাষা অনুসাৰে
চিঠি পঠিয়ালে। ৰজাই আজ্ঞা দিলে যে, প্ৰতিজন পুৰুষ নিজৰ নিজৰ
ঘৰৰ মূৰব্বী হওক। এই আজ্ঞা প্ৰত্যেক লোকৰ নিজৰ নিজৰ ভাষাত
দিয়া হৈছিল।

**২** এই সকলো ঘটনাৰ পাছত, ৰজা অহচবেৰোচৰ ক্ৰোধ শান্ত হ’ল,
তাৰ পাছত তেওঁ ৰাণী ৱষ্টী, আৰু তেওঁ কৰা কাৰ্যৰ বষয়ে চিন্তা কৰিলে।
তেওঁ ৰাণীৰ বিৰুদ্ধে দিয়া আজ্ঞাৰ বিষয়েও চিন্তা কৰিলে। ২ তেতিয়া
ৰজাৰ পৰিচৰ্যা কৰা যুৱক জনে তেওঁক ক’লে, “মহাৰাজৰ বাবে সুন্দৰী
যুৱতী কুমাৰী বিচাৰ কৰা হওক। ৩ মহাৰাজে নিজৰ ৰাজ্যৰ সকলো
প্ৰদেশত বিষয়া সকলক নিযুক্ত কৰক। যাতে তেওঁলোকে সকলো
ফালৰ পৰা সুন্দৰী যুৱতী কুমাৰী চুচন ৰাজ-প্ৰসাদৰ অন্তঃপুৰলৈ
আনি গোটাব পাৰে। ৰজাৰ কৰ্মচাৰী নপুংসক হেগয় মহিলা সকলৰ
দায়িত্বত আছিল। তেওঁৰ তত্বাৱধানত সুন্দৰী কুমাৰী সকলক ৰখা
হওক; আৰু হেগয়ে তেওঁলোকক তেওঁলোকৰ প্ৰসাধনবোৰ দিয়ক। ৪
যি গৰাকী যুৱতীয়ে মহাৰাজক সন্তুষ্ট কৰিব, সেই গৰাকীয়েই ৱষ্টীৰ
স্থানত ৰাণী হওক।” এই পৰামৰ্শত ৰজাই সন্তুষ্ট হৈ সেই দৰেই
কৰিলে। ৫ সেই সময়ত মৰ্দখয় নামেৰে চুচন ৰাজপ্ৰসাদত এজন
যিহুদী লোক আছিল। তেওঁৰ পিতৃ যায়ীৰ, যায়ীৰৰ পিতৃ চিমিয়ী, আৰু
চিমিয়ীৰ পিতৃ কীচ আছিল। কীচ এজন বিন্যামীনীয়া লোক আছিল। ৬
বাবিলৰ ৰজা নবূখদনেচৰে বন্দী কৰি নিয়া যিহূদাৰ ৰজা যকনিয়াৰ
লগত যি লোকসকলক বন্দী কৰি লৈ গৈছিল, তেওঁলোকৰ লগত
যিৰূচালেমৰ পৰা মৰ্দখয়কো বন্দী কৰি লৈ গৈছিল। ৭ মৰ্দখয়ে নিজৰ
দদায়েকৰ জীয়েক হদচ্ছাক অৰ্থাৎ ইষ্টেৰক প্ৰতিপালন কৰিছিল;
কাৰণ তেওঁৰ পিতৃ-মাতৃ নাছিল। সেই যুৱতীৰ দেহৰ গঠন সুন্দৰ আৰু
বাহ্যিক ৰূপ আকৰ্ষণীয় আছিল। মৰ্দখয়ে তেওঁক নিজৰ ছোৱালীৰ

দৰে প্ৰতিপালন কৰিছিল। ৮ ৰজাৰ আদেশ আৰু নিৰ্দেশ ঘোষণা
কৰাৰ পাছত, চুচন ৰাজপ্ৰাসাদলৈ অনেক যুৱতীক অনা হৈছিল।
তেওঁলোকক নপুংসক হেগয়ৰ তত্ত্বাৱধানত ৰখা হৈছিল। তেওঁলোকে
ইষ্টেৰকো ৰাজপ্ৰাসাদলৈ আনি, মহিলাক তত্বৱাধান লোৱা হেগয়ৰ
অধীনত ৰাখিছিল। ৯ ইষ্টেৰে হেগয়ক সন্তুষ্ট কৰি তেওঁৰ অনুগ্ৰহ
লাভ কৰিলে। লগে লগে তেওঁ ইষ্টেৰক প্ৰসাধন আৰু তেওঁৰ ভাগৰ
খাদ্য দিলে। ৰাজপ্ৰসাদৰ পৰা সাত গৰাকী দাসী তেওঁৰ বাবে নিযুক্ত
কৰিলে, আৰু দাসী সকলৰ সৈতে তেওঁক মহিলা গৃহৰ উত্তম ঠাইলৈ
স্থানান্তৰ কৰিলে। ১০ ইষ্টেৰে নিজৰ লোকসকলৰ বা সম্পৰ্কীয় সকলৰ
বিষয়ে কাকো একো কোৱা নাছিল, কাৰণ মৰ্দখয়ে তেওঁক সেই কথা
ক'বলৈ নিষেধ কৰিছিল। ১১ ইষ্টেৰ কেনে দৰে আছে, আৰু তেওঁলৈ
কি কৰা হ'ব, সেই কথা জানিবলৈ মৰ্দখয়ে প্ৰতিদিনে মহিলা গৃহৰ
বাহিৰত থকা চোতালেদি অহা যোৱা কৰিছিল। ১২ ৰজা অহচবেৰোচৰ
ওচৰলৈ যাবৰ বাবে যেতিয়া কোনো এগৰাকী যুৱতীৰ পাল পৰে,
তেতিয়া যুৱতী সকললৈ কৰা নিয়ম অনুসাৰে, প্ৰতি গৰাকী যুৱতীয়ে
বাৰমাহ সৌন্দৰ্য চৰ্চা কৰিব লাগে। তাৰে ছমাহ গন্ধৰস তেল, আৰু
ছমাহ সুগন্ধি-দ্ৰব্য আৰু প্ৰসাধনেৰে নিজকে প্ৰস্তুত কৰিব লাগে। ১৩
এগৰাকী যুৱতীক যেতিয়া ৰাজপ্ৰসাদত ৰজাৰ ওচৰলৈ লৈ যোৱা হয়,
তেতিয়া সেই যুৱতীয়ে যি ইচ্ছা কৰে, সেয়াই সকলো মহিলা গৃহৰ পৰা
তেওঁক দিয়া হয়। ১৪ তেওঁ সন্ধিয়া-বেলা ভিতৰলৈ যাব লাগে, আৰু
ৰাতিপুৱা মহিলাৰ দ্বিতীয় গৃহলৈ উভটি আহিব লাগে। উপপত্নী সকলৰ
দায়িত্বত থকা ৰজাৰ কৰ্মচাৰী নপুংসক চাচগজৰ তত্ত্বাৱধানত তেওঁক
ৰখা হয়। ৰজাই তেওঁত সন্তুষ্ট হৈ পুনৰ তেওঁক নমতালৈকে তেওঁ
ৰজাৰ ওচৰলৈ পুনৰ নাযায়। ১৫ ৰজাৰ ওচৰলৈ যাবৰ বাবে যেতিয়া
ইষ্টেৰৰ (অবীহয়িলৰ ছোৱালী ইষ্টেৰৰ দদায়েক মৰ্দখয়ে তেওঁক নিজৰ
ছোৱালী দৰে প্ৰতিপালন কৰিছিল) সময় হ'ল, তেতিয়া তেওঁ মহিলা
সকলৰ তদাৰক ৰাজ-নপুংসক হেগয়ে পৰামৰ্শ কৰা বস্তুৰ বাহিৰে
তেওঁ আন একো নুখুজিলে। ইষ্টেৰক দেখা সকলোৰে পৰা তেওঁ দয়া
লাভ কৰিলে। ১৬ ৰজা অহচবেৰোচৰ ৰাজপ্ৰসাদলৈ তেওঁৰ ৰাজত্বৰ

সপ্তম বছৰৰ দশম মাহ টেবেৎত ইষ্টেৰক তেওঁৰ ওচৰলৈ লৈ যোৱা
হৈছিল। ১৭ ৰজাই আন সকলো মহিলাতকৈ ইষ্টেৰক বহুত ভাল
পালে, আৰু আনসকলো কুমাৰীতকৈ তেওঁ ৰজাৰ দৃষ্টিত অধিক মৰম
আৰু অনুগ্ৰহ পালে। সেয়ে ৰজাই তেওঁৰ মুৰত ৰাজমুকুট দি ৱষ্টীৰ
পদত তেওঁক ৰাণী পাতিলে। ১৮ তাৰ পাছত ৰজাই তেওঁৰ সকলো
কৰ্মচাৰী আৰু দাস সকলৰ বাবে “ইষ্টেৰৰ ভোজ” বুলি এটা ডাঙৰ
ভোজ দিলে; আৰু সকলো প্ৰদেশৰ কৰ ৰেহাই দিবলৈ অনুমতি দিলে।
তেওঁ ৰাজকীয় দানশীলতা অনুসাৰে উপহাৰো দিলে। ১৯ দ্বিতীয়বাৰ
কুমাৰী সকল গোট খোৱাৰ সময়ত মৰ্দখয়ে ৰাজ-দুৱাৰত বহি আছিল।
২০ মৰ্দখয়ৰ নিৰ্দেশ অনুসাৰে সেই সময়লৈকে ইষ্টেৰে নিজৰ সম্পৰ্কীয়
বা লোকসকলৰ বিষয়ে কাকো কোৱা নাছিল। ইষ্টেৰে মৰ্দখয়ৰ ওচৰত
প্ৰতিপালিত হোৱা সময়ত যি দৰে তেওঁৰ পৰামৰ্শ মানি চলিছিল সেই
দৰে এতিয়াও চলি আছে। ২১ মৰ্দখয় ৰাজ-দুৱাৰত বহি থকা দিন
বোৰত ৰজাৰ কৰ্মচাৰী বিগথন আৰু তেৰচ নামেৰে দুজন দুৱৰীয়ে খং
কৰি আৰু চিঞৰি ৰজা অহচবেৰোচৰ অনিষ্ট কৰিবলৈ চেষ্টা কৰিলে।
২২ সেই কথা মৰ্দখয়ে যেতিয়া গম পালে, তেতিয়া তেওঁ ৰাণী ইষ্টেৰক
জনালে। ইষ্টেৰে মৰ্দখয়ৰ হৈ ৰজাক সেই কথা ক’লে। ২৩ সেই কথা
বিচাৰ কৰি সত্য বুলি প্ৰমাণিত হোৱাৰ পাছত, তেওঁলোক দুয়োকো
ফাঁচিকাঠত ফাঁচি দিয়া হ’ল। সেই কথা ৰজাৰ সাক্ষাতে বংশাৱলীত
লিপিৱদ্ধ কৰা হ’ল।

৩ এই ঘটনাৰ পাছত, ৰজা অহচবেৰোচে অগাগীয়া হম্মদাথাৰ পুত্ৰ
হামনক উন্নত কৰি উচ্চ পদত প্ৰতিষ্ঠিত কৰিলে, আৰু তেওঁৰ লগত
থকা সকলো কৰ্মচাৰীৰ ওপৰত তেওঁক ক্ষমতা দিলে। ২ ৰাজ-
দুৱাৰত থকা ৰজাৰ দাস সকলে হামনৰ আগত আঠুকাঢ়ি প্ৰণিপাত
কৰিছিল; কাৰণ ৰজাই তেওঁলোকক সেইদৰে কৰিবলৈ আজ্ঞা দিছিল।
কিন্তু মৰ্দখয়ে আঠু নাকাঢ়িছিল আৰু প্ৰণিপাতো নকৰিছিল। ৩ তাৰ
পাছত ৰাজদুৱাৰত থকা ৰজাৰ দাস সকলে মৰ্দখয়ক ক’লে, “আপুনি
কিয় ৰজাৰ আজ্ঞা পালন কৰা নাই?” ৪ এইদৰে প্ৰতিদিনে তেওঁক
কোৱাৰ পাছতো তেওঁ তেওঁলোকৰ দাবী মানিবলৈ অমান্তি হ’ল।

তাতে তেওঁলোকে মৰ্দখয়ৰ কথা একেদৰে থাকিব নে নাই সেই কথা
জানিবলৈ তেওঁলোকে হামনক এই বিষয়ত জনালে। কাৰণ মৰ্দখয় যে
এজন যিহুদী লোক, সেই বিষয়ে তেওঁ তেওঁলোকক কৈছিল। ৫ হামনে
যেতিয়া দেখিলে যে, মৰ্দখয়ে তেওঁৰ আগত আঠু লোৱা নাই আৰু
প্ৰণিপাতো কৰা নাই, তেতিয়া তেওঁ ক্ৰোধেৰে পৰিপূৰ্ণ হ'ল। ৬ তেওঁ
কেৱল মৰ্দখয়ক বধ কৰা কথাত অপমান বোধ কৰিলে। কাৰণ ৰজাৰ
দাস সকলে মৰ্দখয় কোন লোক সকলৰ পৰা আহিছিল সেই কথা
তেওঁক কৈছিল। সেয়ে হামনে ৰজা অহচবেৰোচৰ সমগ্ৰ ৰাজ্যত থকা
মৰ্দখয়ৰ যিহুদী লোকসকলক সম্পূৰ্ণৰূপে ধ্বংস কৰিব বিচাৰিলে। ৭
প্ৰথম মাহত (নীচান মাহত) ৰজা অহচবেৰোচ ৰাজত্বৰ দ্বাদশ বছৰত,
হামনৰ আগত দ্বাদশ মাহলৈকে (অদৰ মাহত) ক্ৰম অনুসাৰে প্ৰতিদিনৰ
আৰু প্ৰত্যেক মাহৰ বাবে পুৰ অৰ্থাৎ চিঠি খেলোৱা হ'ল। ৮ তাৰ পাছত
হামনে ৰজা অহচবেৰোচক ক'লে, “আপোনাৰ ৰাজ্যৰ সকলো প্ৰদেশৰ
মাজত কিছুমান লোক ছিন্ন-ভিন্ন হৈ বিভিন্ন স্থানত আছে। তেওঁলোকৰ
বিধি আন লোকসকলৰ পৰা পৃথক; আৰু তেওঁলোকে ৰজাৰ বিধি
পালন নকৰে। সেয়ে তেওঁলোকক ৰজাই থাকিবলৈ দিয়া উচিত নহয়।
৯ যদি ৰজাৰ দৃষ্টিত ভাল দেখে, তেনেহলে তেওঁলোকক বধ কৰিবলৈ
আদেশ দিয়া হওক; তাতে মই ৰাজ- ভঁৰালত ৰাখিবৰ অৰ্থে ৰজাৰ
ব্যৱসায়ৰ তত্ত্বাৱধানত থকা ৰাজ-কৰ্মচাৰী সকলৰ হাতত দহ-হাজাৰ
কিক্কৰ ৰূপ দিম।” ১০ তেতিয়া ৰজাই নিজৰ হাতৰ পৰা মোহৰ
মৰা আঙুঠি সোলাকাই যিহুদী সকলৰ শত্ৰু অগাগীয়া হম্মদাথাৰ পুত্ৰ
হামনক দিলে। ১১ ৰজাই হামনক ক'লে, “আপোনাক আৰু আপোনাৰ
লোকসকলক যাতে ধন ঘূৰাই দিয়া হয়, সেই বিষয়ে মই লক্ষ্য কৰিম।
আপুনি যি ইচ্ছা কৰে, এই ধনেৰে কৰিব পাৰিব।” ১২ তাৰ পাছত
প্ৰথম মাহৰ তেৰ দিনৰ দিনা ৰজাৰ লিখক সকলক মাতি পঠিওৱা
হ'ল। সেই দিনা হামনে দিয়া আজ্ঞা অনুসাৰে যি সকল লোক সকলো
প্ৰদেশৰ ওপৰত আৰু বিভিন্ন লোকৰ দেশাধ্যক্ষ, আৰু সকলো লোকৰ
কৰ্মচাৰী সকলক, প্ৰত্যেক প্ৰদেশৰ নিজৰ আখৰ, আৰু প্ৰত্যেক লোকৰ
নিজৰ ভাষা অনুসাৰে পত্ৰ লিখিবলৈ আৰু ৰজাৰ আঙুঠিৰে মোহৰ

মাৰিবলৈ দিয়া হ’ল। ১৩ একে দিনতে দ্বাদশ মাহৰ (অদৰ মাহত)
তেৰ দিনৰ দিনা যুৱকৰ পৰা বৃদ্ধলৈকে, ল’ৰা-ছোৱালী আৰু মহিলাৰ
সৈতে সকলো যিহুদী লোকক সংহাৰ, বধ, আৰু ধ্বংস কৰা হ’ব, আৰু
তেওঁলোকৰ সম্পত্তি লুট কৰা হ’ব, এই বুলি লিখি পত্ৰখন ডাকোৱালৰ
দ্বাৰাই ৰজাৰ সকলো প্ৰদেশলৈ পঠাই দিয়া হ’ল। ১৪ সেই দিনৰ
বাবে সকলো লোক যেন যুগুত হয়, সেয়ে প্ৰত্যেক প্ৰদেশত হুকুম
জাৰি কৰিবলৈ আৰু সকলো লোকৰ আগত প্ৰচাৰ কৰিবলৈ, সেই
পত্ৰৰ নকল যুগুত কৰা হ’ল। ১৫ ৰজাৰ হুকুম মতে ডাকোৱাল সকল
বেগাই ওলাই গ’ল, আৰু সেই পত্ৰ বিলাই দিলে। সেই আজ্ঞা চুচন
ৰাজপ্ৰসাদতো বিলোৱা হ’ল। তাৰ পাছত ৰজা আৰু হামনে দ্ৰাক্ষাৰস
পান কৰিবলৈ বহিল, কিন্তু চুচন নগৰত হ’লে বিক্ষোভ হ’ল।

**৪** মৰ্দখয়ে এই সকলো ঘটনাৰ কথা জানিবলৈ পাই নিজৰ কাপোৰ
ফালিলে, আৰু চট কাপোৰ পিন্ধি ছাঁই সানি নগৰৰ মাজলৈ গৈ বেদনাৰে
চিঞৰি চিঞৰি কান্দিব ধৰিলে। ২ তেওঁ কেৱল ৰাজ দুৱাৰলৈকেহে
গ’ল; কাৰণ চট কাপোৰ পিন্ধি কোনো এজনকো ৰাজদুৱাৰত সোমাব
দিয়া হোৱা নাছিল। ৩ প্ৰত্যেক প্ৰদেশৰ যিবোৰ ঠাইত ৰজাৰ সেই
আদেশ আৰু আজ্ঞা পালে, সেই সকলো ঠাইত যিহুদী লোকসকলৰ
মাজত মহাশোক, লঘোন, ক্ৰন্দন আৰু বিলাপ হ’ল। তেওঁলোকৰ
মাজৰ অনেক লোকে চট কাপোৰ পিন্ধি ছাঁইৰ ওপৰত শুই পৰিল।
৪ ইষ্টেৰৰ আলপৈচান ধৰা যুৱতী আৰু তেওঁৰ নপুংসক দাস সকলে
যেতিয়া তেওঁৰ ওচৰলৈ আহি সেই কথা ক’লে, তেতিয়া ৰাণীয়ে মনত
অতিশয় বেজাৰ পালে। তেওঁ মৰ্দখয়ৰ বাবে কাপোৰ দি পঠিয়ালে
(যাতে মৰ্দখয়ে চট কাপোৰ খুলি সেই কাপোৰ পিন্ধিব পাৰে) কিন্তু
তেওঁ সেইবোৰ গ্ৰহণ নকৰিলে। ৫ তেতিয়া ইষ্টেৰ তেওঁক পৰিচৰ্যা
কৰিবলৈ ৰজাই নিযুক্ত কৰা হথাক নামৰ এজন ৰাজ-নপুংসকক মাতি
পঠিয়ালে। তেওঁক মৰ্দখয়ৰ লগত কি ঘটিছিল আৰু তাৰ মানে কি
সেই বিষয়ে জানিবলৈ তেওঁৰ ওচৰলৈ যাবলৈ আজ্ঞা দিলে। ৬ সেয়ে
হথাকে ৰাজদুৱাৰৰ সন্মুখৰ নগৰৰ চকলৈ গৈ মৰ্দখয়ক ল’গ ধৰিলে।
৭ তেতিয়া মৰ্দখয়ে নিজৰ লগত যি ঘটিছিল, আৰু যিহুদী লোকসকলক

বধ কৰিবলৈ হামনে যি পৰিমাণৰ ৰূপ ৰাজভঁৰালত দিবলৈ প্ৰতিজ্ঞা
কৰিছে, সেই সকলো বিষয় তেওঁক ক'লে। ৮ ইহুদী সকলৰ বিনাশৰ
বাবে যি আজ্ঞা পত্ৰ চুচনত বিলোৱা হৈছিল, তাৰ এখন নকলো তেওঁক
দিলে; যাতে সেই পত্ৰৰ নকল ইষ্টেৰক দেখুৱাব পাৰে আৰু সেই বিষয়ে
তেওঁক জনাব পাৰে, যাতে ইষ্টেৰে এই বিষয়ে ৰজাৰ ওচৰলৈ গৈ
তেওঁৰ আগত স্বজাতীয় লোকসকলৰ বাবে তেওঁলোকৰ হৈ মিনতি
আৰু প্ৰাৰ্থনা কৰিব পাৰে, সেই বাবে তেওঁক ওপৰত দ্বায়ীত্ব দিবলৈ
ক'লে। ৯ সেয়ে হথাকে গৈ মৰ্দখয়ে তেওঁক যিবোৰ কথা ক'লে, সেই
সকলো কথা ইষ্টেৰক জনালে। ১০ তেতিয়া ইষ্টেৰে হথাকৰ লগত কথা
পাতিলে। তেওঁক মৰ্দখয়ৰ ওচৰলৈ উভতি যাবলৈ কৈ, ১১ ইষ্টেৰে
হথাক ক'লে, "ৰজাৰ দাস সকল আৰু ৰজাৰ প্ৰদেশৰ সকলো লোকেই
জানে যে, পুৰুষ বা মহিলাই হওক, ৰজাই নমতালৈকে যি কোনোৱে
ৰজাক ল'গ ধৰিবলৈ ভিতৰৰ চোতাললৈ যায়, তেওঁৰ কাৰণে কেৱল
এটাই বিধান আছে যে, তেওঁৰ অৱশ্যেই মৃত্যু দণ্ড হ'ব, কেৱল যি
জনলৈ ৰজাই সোণাময় ৰাজদণ্ড ডালি মেলি দিয়ে, সেই জনেহে জীয়াই
থাকিব পাৰে। আজি ত্ৰিশ দিন হ'ল, মই ৰজাৰ ওচৰলৈ যাবলৈ আদেশ
পোৱা নাই।" ১২ সেয়ে ইষ্টেৰৰ এই কথা হাথকে মৰ্দখয়ক জনালে।
১৩ তেতিয়া মৰ্দখয়ে ইষ্টেৰলৈ সেই বাৰ্তা পুনৰ ঘূৰাই পঠালে: "যিহুদী
লোকসকলৰ মাজৰ তুমি ৰাজপ্ৰসাদত থকাৰ বাবে তুমি যে ৰক্ষা পাবা,
তেনে নাভাবিবা। ১৪ যদি তুমি এই সময়ত নিজম দি থকা, তেনেহলে
যিহুদী লোকসকলক সহায় আৰু উদ্ধাৰ কৰিবলৈ আন কোনো ঠাইৰ
পৰা কোনো এজন আহিব; কিন্তু তুমি আৰু তোমাৰ পিতৃ-বংশ বিনষ্ট
হ'ব। কোনে জানে এই বিপদৰ সময়ৰ বাবেই হয়তু তুমি ৰাণী পদ
পাইছা?" ১৫ তেতিয়া ইষ্টেৰে মৰ্দখয়লৈ এই উত্তৰ দি পঠালে, ১৬
"আপুনি যাওক; আৰু চুচনত বাস কৰা সকলো যিহুদী লোকসকলক
একগোট কৰক। অাপোনালোক মোৰ কাৰণে লঘোন দিয়ক। তিনি
দিন তিনি ৰাতি একো পান নকৰিব নাইবা ভোজন নকৰিব। মই আৰু
মোৰ যুৱতী দাস সকলেও সেই একেদৰে লঘোন দিম। তাৰ পাছত
যদিও এই কাৰ্য নিয়মৰ বিৰুদ্ধে হয়, তথাপি মই ৰজাৰ ওচৰলৈ যাম।

যদি বিনষ্ট হ’ব লাগে তেনেহ’লে মই হ’ম।” ১৭ মৰ্দখয়ে ইষ্টেৰে তেওঁক
কোৱাৰ দৰে কৰিবলৈ গ’ল।

৫ তিনি দিনৰ পাছত, ৰাণী ইষ্টেৰে ৰাজবস্ত্ৰ পিন্ধি ৰাজপ্ৰসাদৰ
ৰাজগৃহত থকা ভিতৰ চোতালৰ সন্মুখত থিয় হ’ল। সেই সময়ত
ৰজাই ৰাজগৃহৰ প্ৰবেশ স্থানৰ ফালে মুখ কৰি ৰাজ সিংহাসনত বহি
আছিল। ২ ৰজাই যেতিয়া চোতালত থিয় হোৱা ৰাণী ইষ্টেৰক দেখা
পালে, তেতিয়া তেওঁৰ ইষ্টেৰৰ প্ৰতি মৰম লাগিল; আৰু ৰজাই নিজৰ
হাতত থকা সোণাময় দণ্ডডালি ৰাণী ইষ্টেৰৰ ফালে মেলি দিলে।
সেয়ে ইষ্টেৰে ওচৰ চাপি সোণাময় দণ্ডডালিৰ আগ ভাগ চুলে। ৩
তাৰ পাছত ৰজাই তেওঁক ক’লে, “ৰাণী ইষ্টেৰ, তোমাক কি লাগে?
তোমাৰ কি প্ৰাৰ্থনা আছে কোৱা? যদি তোমাক মোৰ ৰাজ্যৰ আধা
অংশও লাগে, তথাপিও তোমাক দিয়া হ’ব।” ৪ তেতিয়া ইষ্টেৰে উত্তৰ
দিলে, “যদি ৰজাই ভাল দেখে, তেনেহলে আপোনাৰ বাবে মই যুগুত
কৰা ভোজলৈ আপুনি আৰু হামন আজি আহিব।” ৫ তেতিয়া ৰজাই
আজ্ঞা দিলে, “ৰাণী ইষ্টেৰে কোৱাৰ দৰে কৰিবলৈ হামনক বেগাই
মাতি অনা হওক।” সেয়ে ৰজা আৰু হামন ইষ্টেৰে যুগুত কৰা ভোজলৈ
গ’ল। ৬ ভোজত যেতিয়া দ্ৰাক্ষাৰস বাকি দিয়া হ’ল, তেতিয়া ৰজাই
ইষ্টেৰক সুধিলে, “তোমাৰ আবেদন কি? তোমাৰ বাবে সেই আবেদন
গ্ৰহণ কৰা হ’ব; আৰু তোমাৰ প্ৰাৰ্থনা কি? ৰাজ্যৰ আধা অংশও যদি
তোমাক লাগে, তেনেহ’লে তাক সিদ্ধ কৰা হ’ব। ৭ তেতিয়া ইষ্টেৰে
উত্তৰ দি ক’লে, “মোৰ আবেদন আৰু মোৰ প্ৰাৰ্থনা এই, ৮ মই যদি
ৰজাৰ দৃষ্টিত অনুগ্ৰহ পাইছোঁ, আৰু মোৰ নিবেদন ও প্ৰাৰ্থনা গ্ৰহণ কৰি
সিদ্ধ কৰিবলৈ যদি ৰজাই ভাল দেখে, তেনেহলে মই আপোনালোকৰ
অৰ্থে কাইলৈ যি ভোজ যুগুত কৰিম, সেই ভোজলৈ আপুনি আৰু
হামন পুনৰ আহিব। মই ৰজাৰ প্ৰশ্নৰ উত্তৰ কাইলৈহে দিম।” ৯ সেই
দিনা হামন আনন্দ আৰু সন্তুষ্ট মনেৰে বাহিৰলৈ ওলাই গ’ল। কিন্তু
হামনে যেতিয়া মৰ্দখয়ক ৰাজদুৱাৰত বহি থকা দেখা পালে, তেতিয়াও
মৰ্দখয়ে হামনৰ আগত থিয় নহ’ল বা লৰচৰো নহ’ল। তাতে হামনে
মৰ্দখয়ৰ ওপৰত ক্ৰোধেৰে পৰিপূৰ্ণ হ’ল। ১০ তথাপি, হামনে নিজকে

নিয়ন্ত্ৰিত কৰি ৰাখিলে, আৰু নিজৰ ঘৰলৈ গুচি গ'ল। তেওঁ তেওঁৰ ভাৰ্যা
জেৰচৰ সৈতে তেওঁৰ বন্ধু সকলক একত্ৰিত হ'বলৈ মাতি পঠিয়ালে।
১১ হামনে তেওঁলোকৰ আগত নিজৰ ঐশ্চৰ্যৰ প্ৰতাপ আৰু তেওঁৰ
পুত্ৰৰ সংখ্যা অধিক এই কথা তেওঁলোকক ক'লে; আৰু ৰজাই কি দৰে
তেওঁৰ সকলো কৰ্মচাৰী আৰু দাসতকৈ তেওঁক ওখ পদ দিলে; এই
সকলো কথা তেওঁলোকৰ আগত বৰ্ণনা কৰি ক'লে। ১২ হামনে ক'লে,
"এনেকি ৰাণী ইষ্টেৰে যুগুত কৰা ভোজত যাবলৈ ৰজাৰ লগত মোৰ
বাহিৰে আন কাকো নিমন্ত্ৰণ দিয়া নাছিল। আৰু অহা কালিও ভোজত
ৰজাৰ লগত যাবলৈ মই ৰাণী ইষ্টেৰৰ দ্বাৰাই নিমন্ত্ৰণ পাইছোঁ। ১৩
তথাপিও মই ৰাজদুৱাৰত বহি থকা যিহুদী মৰ্দখয়ক যেতিয়া দেখা
পাওঁ, তেতিয়া এই সকলোতো মোৰ একো মূল্য নাই যেন মই উপলব্ধি
কৰোঁ।" ১৪ পাছত তেওঁৰ ভাৰ্যা জেৰচ আৰু তেওঁৰ বন্ধু সকলে তেওঁক
ক'লে, "পঞ্চাশ হাত দীঘল এডাল ফাঁচি-কাঠ যুগুত কৰক; যাতে
আপুনি কাইলৈ ৰাতিপুৱাই ৰজাৰ আগত নিবেদন কৰি মৰ্দখয়ক সেই
কাঠডালত ফাঁচি দিব পাৰে। তাৰ পাছত আপুনি আনন্দ মনেৰে ৰজাৰ
লগত ভোজত যাব।" তেতিয়া হামনে সেই কথাত সন্তুষ্ট হ'ল আৰু তেওঁ
ফাঁচি-কাঠ নিৰ্মাণ কৰালে।

**৬** সেই ৰাতি ৰজাই টোপনি যাব নোৱাৰিলে। ৰজাই তেওঁৰ ৰাজত্বৰ
সময়ত ঘটা ঘটনাৱলীৰ কাৰ্য-বিৱৰণী আনিবলৈ আজ্ঞা দিলে; আৰু
তেওঁলোকে উচ্চ-স্বৰে ৰজাৰ আগত তাক পাঠ কৰিলে। ২ সেই
কাৰ্য-বিৱৰণীত লিখা অনুসাৰে এই কথা গ'ম পোৱা গ'ল যে, ৰাজ-
নপুংসক বিগথন আৰু তেৰচ নামেৰে দুজন প্ৰৱেশ দুৱাৰৰ দুৱৰীয়ে
ৰজা অহচবেৰোচৰ ক্ষতি কৰিবলৈ চেষ্টা কৰা বিষয়টো এই মৰ্দখয়েই
ৰজাক জনাইছিল। ৩ পাছত ৰজাই সুধিলে, "মৰ্দখয়ে কৰা এই কাৰ্যৰ
বাবে তেওঁক কি সন্মান বা স্বীকৃতি প্ৰদান কৰা হৈছিল? তাৰ পাছত
ৰজাৰ পৰিচৰ্যা কৰা যুৱক দাস সকলে তেওঁক ক'লে, "তেওঁৰ বাবে
একো কৰা হোৱা নাই।" ৪ ৰজাই সুধিলে, "চোতালত কোন আছে?
সেই সময়ত ৰজাৰ আগত নিবেদন কৰি নিজে যুগুত কৰা ফাঁচি কাঠত
মৰ্দখয়ক ফাঁচি দিবলৈ ৰাজগৃহৰ বাহিৰ চোতালত হামন সোমাইছিল।

৫ ৰজাৰ দাস সকলে তেওঁক ক’লে, “হামন চোতালত থিয় হৈ আছে।”
তাতে ৰজাই ক’লে, “তেওঁক ভিতৰলৈ আহিব দিয়া।” ৬ হামন যেতিয়া
ভিতৰলৈ সোমাল, তেতিয়া ৰজাই তেওঁক ক’লে, “ৰজাই যি জনক
সন্মান দিবলৈ ইচ্ছা কৰে, তেওঁলৈ কি কৰা উচিত?” হামনে মনতে
ভাবিলে, মোতকৈ বেছি ৰজাই আন কাক সন্মান দিবলৈ ইচ্ছা কৰিব?
৭ সেয়ে হামনে ৰজাক ক’লে, “ৰজাই যি জনক সন্মান দিবলৈ ইচ্ছা
কৰে, ৮ তেওঁৰ বাবে যি বস্ত্ৰ ৰজাই পৰিধান কৰে সেই ৰাজকীয়
বস্ত্ৰ দিয়া যাওক, আৰু ৰাজকীয় মুকুটৰ সৈতে যি ঘোঁৰাত ৰজা উঠে,
সেই ঘোঁৰা দিয়া যাওক। ৯ তাৰ পাছত সেই বস্ত্ৰ আৰু ঘোঁৰা ৰজাৰ
বিশেষ প্ৰধান কৰ্মচাৰী সকলৰ মাজৰ এজনৰ হাতত গতাই দিয়া
হওক; আৰু ৰজাই যি জনক সন্মান দিবলৈ ইচ্ছা কৰে, তেওঁক সেই
ৰাজ-বস্ত্ৰ পিন্ধোৱা হওক। পাছত তেওঁক সেই ঘোঁৰাত তুলি নগৰৰ
মাজৰ পথেৰে লৈ যাবলৈ তেওঁলোকক কোৱা হওক। তেওঁৰ আগে
আগে এই কথা ঘোষণা কৰা হওক যে, ‘ৰজাই যি জনক সন্মান দিবলৈ
ইচ্ছা কৰে, তেওঁলৈ এইদৰে কৰা হ’ব!’” ১০ তেতিয়া ৰজাই হামনক
ক’লে, “বেগাই আহাঁ, তুমি ৰাজ-বস্ত্ৰ আৰু ঘোঁৰা লোৱা, আৰু তুমি
কোৱাৰ দৰে ৰাজদুৱাৰত বহি থকা যিহুদী মৰ্দখয়লৈ সেই দৰেই
কৰা। তুমি কোৱা কথাৰ এটা কথাও ত্ৰুটি নকৰিবা।” ১১ তেতিয়া
হামনে সেই ৰাজ-বস্ত্ৰ আৰু ঘোঁৰা ল’লে, আৰু মৰ্দখয়ক বস্ত্ৰ পিন্ধাই
ঘোঁৰাত তুলি নগৰৰ মাজেৰে ফুৰালে। তেওঁ মৰ্দখয়ৰ আগে আগে
এই কথা ঘোষণা কৰিলে যে, “ৰজাই যি জনক সন্মান দিবলৈ ইচ্ছা
কৰে, তেওঁলৈ এইদৰে কৰা হ’ব।” ১২ তাৰ পাছত মৰ্দখয় ৰাজ-
দুৱাৰলৈ উলটি গ’ল। কিন্তু হামনে শোক কৰি কাপোৰেৰে মুৰ ঢাকি
নিজৰ ঘৰলৈ বেগাই গ’ল। ১৩ হামনে তেওঁৰ ভাৰ্যা জেৰচক আৰু
তেওঁৰ সকলো বন্ধুক তেওঁলৈ ঘটা সকলো কথা ক’লে। তেতিয়া
তেওঁৰ যি সকল লোক জ্ঞানৰ বাবে জনাজাত আছিল, তেওঁলোক আৰু
তেওঁৰ ভাৰ্যা জেৰচে তেওঁক ক’লে, “যি মৰ্দখয়ৰ আগত আপোনাৰ
সন্মান ম্লান হ’ব ধৰিছে, সেই মৰ্দখয় যদি যিহুদী বংশৰ লোক হয়,
তেনেহলে আপুনি কেতিয়াও তেওঁক জয় কৰিব নোৱাৰিব, তেওঁৰ

আগত আপোনাৰ নিশ্চয় সৰ্বনাশ হ’ব।” ১৪ তেওঁলোকে তেওঁৰ লগত
কথা পাতি থাকোঁতেই ৰাজ-নপুংসক সকল আহি উপস্থিত হ’ল; আৰু
ৰাণী ইষ্টেৰে যুগুত কৰা ভোজলৈ হামনক লৈ যাবলৈ খৰধৰ কৰিলে।

৭ তাৰ পাছত ৰজা আৰু হামনে ৰাণী ইষ্টেৰৰ ভোজলৈ গ’ল। ২
দ্বিতীয় দিনা তেওঁলোকে যেতিয়া দ্ৰাক্ষাৰস বাকি দি আছিল, তেতিয়া
ৰজাই ইষ্টেৰক পুনৰ সুধিলে, “ৰাণী ইষ্টেৰ, তোমাৰ নিবেদন কি?
তাক তোমালৈ কৰা হ’ব। তোমাৰ অনুৰোধ কি? যদি ৰাজ্যৰ আধা
অংশও তোমাক লাগে তাক দিয়া হ’ব।” ৩ তেতিয়া ৰাণী ইষ্টেৰে
উত্তৰ দি ক’লে, “মই যদি ৰজাৰ দৃষ্টিত অনুগ্ৰহ পাইছোঁ, আৰু যদি
আপুনি ভাল দেখে, তেনেহ’লে মোৰ প্ৰাণ মোক দিয়ক। এয়েই মোৰ
নিবেদন আৰু মোৰ লোক সকলৰ বাবেও মই এই অনুৰোধ কৰিছোঁ।
৪ কাৰণ মোক আৰু মোৰ স্বজাতীয় লোকসকলক ধ্বংস, বধ, আৰু
বিনষ্ট কৰিবৰ বাবে বিক্ৰী কৰা হৈছে। আমি যদি কেৱল দাস-দাসী
হ’বলৈ বেচা গলোহেঁতেন, তেনেহ’লে মই নিজমে থাকিলো হয়; আৰু
ৰজাৰ শান্তি ভংগ কৰাৰ একো প্ৰয়োজন নহলে হয়।” ৫ তেতিয়া
ৰজা অহচবেৰোচে ৰাণী ইষ্টেৰক ক’লে, “তেওঁ কোন হয়? এই কাৰ্য
কৰিবলৈ সাহ কৰা জন ক’ত আছে?” ৬ ইষ্টেৰে ক’লে, “সেই দুষ্ট
হামনেই বিৰুদ্ধী আৰু শত্ৰু লোক হয়।” তেতিয়া হামনে ৰজা আৰু
ৰাণীৰ আগত আতঙ্কিত হ’ল। ৭ তেতিয়া ৰজাই ক্ৰোধত দ্ৰাক্ষাৰস
পান কৰাৰ পৰা উঠি গৈ ৰাজপ্ৰসাদৰ বাগিছাত সোমাল; কিন্তু ৰজাই
যে হামনৰ বিৰুদ্ধে অমঙ্গল স্থিৰ কৰিলে সেই কথা হামনে জানিবলৈ
পাই, ৰাণী ইষ্টেৰৰ পৰা নিজৰ প্ৰাণ ভিক্ষা কৰিবলৈ তাতে থাকিল। ৮
তাৰ পাছত ৰজাই ৰাজপ্ৰসাদৰ বাগিছাৰ পৰা দ্ৰাক্ষাৰস পান কৰা
কোঁঠালিলৈ উভটি আহিল। সেই সময়ত ইষ্টেৰে বহা আসনত হামন
পৰি আছিল। ৰজাই ক’লে, “এই ব্যক্তিয়ে মোৰ গৃহত মোৰ সন্মুখত
ৰাণীক বলাৎকাৰ কৰিব খুজিছে নেকি? এই কথা ৰজাৰ মুখৰ পৰা
ওলোৱাৰ লগে লগে দাসসকলে হামনৰ মুখ ঢাকি ধৰিলে। ৯ পাছত
ৰজাৰ পৰিচৰ্যা কৰা হৰ্বোনা নামেৰে এজন নপুংসকে ক’লে, “যি
মৰ্দখয়ে ৰজাৰ পক্ষে হিতজনক সম্বাদ দিছিল, তেওঁৰ বাবে হামনে

যুগুত কৰা পঞ্চাশ হাত দীঘল ফাঁচি কাঠডাল হামনৰ ঘৰত পোতা
আছে।" ৰজাই ক'লে, "সেই কাঠৰ ওপৰতে ইয়াক ফাঁচি দিয়া হওক।"
১০ তাতে মৰ্দখয়ৰ বাবে হামনে যুগুত কৰা ফাঁচি কাঠত হামনক ফাঁচি
দিয়া হ'ল। তাৰ পাছতহে ৰজাৰ ক্ৰোধ শান্ত হ'ল।

৮ সেই দিনা ৰজা অহচবেৰোচে ৰাণী ইষ্টৈৰক যিহুদী সকলৰ শত্ৰু
হামনৰ সা-সম্পত্তি দিলে। যিহেতু ইষ্টেৰে মৰ্দখয়ৰ লগত তেওঁৰ
সম্পৰ্ক কি, সেই বিষয়ে ৰজাক জনাইছিল। সেয়ে মৰ্দখয়ে ৰজাৰ
পৰিচৰ্যা কৰিবলৈ আৰম্ভ কৰিলে। ২ তেতিয়া ৰজাই হামনৰ পৰা ঘূৰাই
লোৱা নিজৰ মোহৰ মৰা আঙঠি সোলোকাই মৰ্দখয়ক দিলে। ইষ্টেৰে
হামনৰ আস্থাবৰ সম্পত্তিৰ দায়িত্বত মৰ্দখয়ক নিযুক্ত কৰিলে। ৩ পাছত
ইষ্টেৰে পুনৰ ৰজাৰ লগত কথা পাতিলে। তেওঁ ৰজাৰ চৰণত পৰি
ক্ৰন্দন কৰিলে; আৰু অগাগীয়া হামনে কৰিব খোজা অমঙ্গল, যিহুদী
লোক সকলৰ বিৰুদ্ধে তেওঁ কৰা কল্পনা নিবাৰণ কৰিবৰ অৰ্থে তেওঁৰ
আগত মিনতি কৰিলে। ৪ তাতে ৰজাই ইষ্টেৰৰ ফাললৈ সোণালী
ৰাজদণ্ড ডাল মেলি দিলে, আৰু ইষ্টেৰে উঠি ৰজাৰ আগত থিয় হ'ল। ৫
ইষ্টেৰে ক'লে, "যদি ৰজাই ভাল দেখে; আৰু মই তেওঁৰ দৃষ্টিত অনুগ্ৰহ
পাইছোঁ। মই যদি ৰজাক সন্তুষ্ট কৰিব পাৰিছোঁ; আৰু এই কাৰ্য যদি
ৰজাই উচিত বুলি ভাবে, তেনেহলে অগাগীয়া হম্মদাথাৰ পুত্ৰ হামনে,
ৰজাৰ আটাই প্ৰদেশত থকা যিহুদী লোক সকলক ধ্বংস কৰিবৰ
অৰ্থে লিখা পত্ৰবোৰ বাতিল কৰিবলৈ ৰজাই লিখিত আজ্ঞা দিয়ক। ৬
কাৰণ মোৰ লোক সকলক দুৰ্যোগত পৰি থকা দেখি মই কেনেকৈ
সহ্য কৰিম? নিজৰ সম্পৰ্কীয় লোকসকলৰ বিনাশ দেখি মই কেনেকৈ
সহি থাকিম?" ৭ তেতিয়া ৰজা অহচবেৰোচে ৰাণী ইষ্টেৰ আৰু যিহুদী
মৰ্দখয়ক ক'লে, "চোৱা, মই ইষ্টেৰক হামনৰ সা-সম্পত্তি দিলোঁ, আৰু
হামনক ফাঁচি কাঠত ফাঁচিও দিয়া হ'ল, কাৰণ সি ইহুদী লোকসকলক
বিনাশ কৰিবলৈ ইচ্ছা কৰিছিল। ৮ এতিয়া যিহুদী লোকসকলৰ অৰ্থে
ৰজাৰ নামেৰে আন এটা আজ্ঞা পত্ৰ লিখা হওক; আৰু ৰজাৰ আঙঠিৰে
তাত মোহৰ মৰা হওক। কাৰণ ৰজাৰ নামেৰে ইতিমধ্যে লিখা, আৰু
ৰজাৰ আঙঠিৰে মোহৰ মৰা পত্ৰ কেতিয়াও বাতিল হ'ব নোৱাৰে।"

৯ তাৰ পাছত তৃতীয় মাহৰ তেইশ দিনৰ দিনা ৰাজ লিখক সকলক
মতা হৈছিল। মৰ্দখয়ে যিহুদী লোকসকলৰ বিষয়ে চিন্তা কৰি তেওঁ
নিজৰ সকলো ক্ষমতাৰে আজ্ঞা পত্ৰ লিখিবলৈ দিছিল। ভাৰতবৰ্ষৰ পৰা
কুচ দেশলৈকে এশ সাতাইশ খন প্ৰদেশ, প্ৰত্যেক প্ৰদেশৰ আখৰ
আৰু প্ৰত্যেক জাতিৰ ভাষা অনুসাৰে প্ৰদেশৰ দেশাধ্যক্ষ আৰু কৰ্মচাৰী
সকললৈ; আৰু প্ৰত্যেক প্ৰদেশ অনুসাৰে তেওঁলোকৰ নিজৰ আখৰ
আৰু প্ৰত্যেক লোকৰ ভাষা অনুসাৰে তেওঁলোকৰ নিজৰ ভাষাৰে আজ্ঞা
পত্ৰ লিখা হৈছিল। ইহুদী লোকসকললৈ তেওঁলোকৰ নিজৰ আখৰ
আৰু ভাষাৰে লিখা হৈছিল। ১০ মৰ্দখয়ে এই পত্ৰ ৰজা অহচবেৰোচৰ
নামেৰে লিখি তাত ৰজাৰ আঙঠিৰে মোহৰ মাৰিছিল। ৰাজ অশ্বপালনৰ
প্ৰতিষ্ঠানৰ পৰা ৰাজ-কাৰ্য্যত ব্যৱহাৰ কৰা বেগী ঘোঁৰাত সংবাদবাহক
সকলৰ দ্বাৰাই সেই কাগজ পত্ৰবোৰ পঠিয়াই দিয়া হ'ল। ১১ এই
পত্ৰত প্ৰত্যেক নগৰত থকা যিহুদী লোক সকলক ৰজা অহচবেৰোচে
একলগ হৈ সমবেত হবলৈ; আৰু নিজৰ প্ৰাণ ৰক্ষা কৰিবৰ বাবে স্থিৰ
হৈ থাকিবলৈ আদেশ দিছিল। যি কোনো লোক বা প্ৰদেশৰ পৰা
অস্ত্ৰধাৰী দলে তেওঁলোকক আক্ৰমণ কৰিলে, ইহুদী লোকসকলে
তেওঁলোকৰ ল'ৰা-ছোৱালী আৰু মহিলা সকলৰ সৈতে তেওঁলোকক
ধ্বংস, বধ আৰু বিনষ্ট কৰিব পাৰিব; আৰু তেওঁলোকৰ সম্পত্তি লুট
কৰিব পাৰিব। এই বুলি সেই পত্ৰত ৰজাই প্ৰত্যেক নগৰত থকা ইহুদী
লোক সকলক অনুমতি দিছিল। ১২ ৰজা অহচবেৰোচৰ অধীনত
থকা সকলো প্ৰদেশলৈ ইয়াক কাৰ্যকৰী কৰিবলৈ কোৱা হ'ল, সেয়া
আছিল দ্বাদশ মাহৰ তেৰ তাৰিখ, অৰ্থাৎ অদৰ মাহৰ তেৰ তাৰিখ। ১৩
সকলো লোকলৈ এই আজ্ঞা, বিধান স্বৰূপে জাৰি কৰি জনসাধাৰণৰ
মাজত প্ৰকাশ কৰিবলৈ সেই পত্ৰৰ নকল যুগুত কৰা হৈছিল; যাতে
সেই দিনা যিহুদী লোকসকলে তেওঁলোকৰ শত্ৰুক প্ৰতিশোধ লবলৈ
যুগুত হৈ থাকে। ১৪ তাতে ৰাজ-কাৰ্য্যত ব্যৱহাৰ হোৱা বেগী ঘোঁৰাত
সংবাদবাহক সকলে উঠি বেগাই ৰজাৰ সেই পত্ৰ বিলাবলৈ গৈছিল;
আৰু সেই আজ্ঞা পত্ৰ চুচন ৰাজপ্ৰসাদতো জাৰি কৰা হৈছিল। ১৫
তাৰ পাছত মৰ্দখয়ে নীলা আৰু বগা ৰাজবস্ত্ৰ পিন্ধি সোণৰ ডাঙৰ

কিৰীটি মুৰত লৈ, মিহি শণ সুতাৰে আৰু বেঙেনা বৰণীয়া সুতাৰে বনোৱা এটা চোলা পিন্ধি ৰজাৰ সন্মুখৰ পৰা আঁতৰি গ'ল। চুচন নগৰত লোক সকলে জয়-ধ্বনি কৰি আনন্দ কৰিলে। ১৬ যিহুদী লোকসকলে লঘু অনুভৱ কৰিলে; আৰু তেওঁলোকে আনন্দ, উল্লাস আৰু গৌৰৱ কৰিলে। ১৭ প্ৰত্যেক প্ৰদেশত আৰু প্ৰত্যেক নগৰৰ যি যি ঠাইত ৰজাৰ সেই আজ্ঞা পত্ৰ পালে, সেই সকলো ঠাইত যিহুদী লোকসকলৰ মাজত আনন্দ, উল্লাস, ভোজ আৰু পবিত্ৰ দিন হ'ল। সেই দেশৰ বিভিন্ন জাতিৰ লোক সকলৰ মাজৰ বহুতো লোক ইহুদী হ'ল; কাৰণ তেওঁলোকে ইহুদী লোকৰ প্ৰতি ভয় কৰিছিল।

**৯** পাছত অদৰ নামেৰে দ্বাদশ মাহৰ তেৰ দিনৰ দিনা, ৰজাৰ বিধান আৰু আজ্ঞা সিদ্ধ হ'বলৈ আছিল। সেই দিনা যিহুদী লোক সকলৰ শত্ৰুবোৰে তেওঁলোকৰ ওপৰত জয় কৰিবলৈ আশা কৰি আছিল, কিন্তু ইয়াৰ বিপৰীতে যিহুদী লোকসকলক ঘৃণা কৰা লোক সকলৰ ওপৰত ইহুদীসকলে জয় লাভ কৰিলে। ২ যি সকলে তেওঁলোকৰ অমঙ্গলৰ চেষ্টা কৰিব, তেওঁলোকক যাতে যিহুদী লোকসকলে প্ৰতিৰোধ কৰিব পাৰে; সেই বাবে যিহুদী লোকসকল ৰজা অহচবেৰোচৰ প্ৰতিখন প্ৰদেশত নিজৰ নিজৰ নগৰত গোট খাইছিল। তেওঁলোকৰ প্ৰতি লোকসকলৰ ভয় জন্মিছিল, যাৰ বাবে লোকসকলে তেওঁলোকৰ বিৰুদ্ধে থিয় হ'ব নোৱাৰিলে। ৩ প্ৰদেশ বোৰৰ সকলো কৰ্মচাৰী, প্ৰদেশৰ দেশাধ্যক্ষ, দেশাধ্যক্ষ সকল, আৰু ৰাজ-কৰ্মচাৰী সকলে যিহুদী লোকসকলক সহায় কৰিছিল; কাৰণ মৰ্দখয়ৰ প্ৰতি তেওঁলোকৰ ভয় জন্মিছিল। ৪ মৰ্দখয় ৰাজ-গৃহৰ মাজত মহান হৈ পৰিছিল। তেওঁৰ যশস্যা সকলো প্ৰদেশলৈ প্ৰসাৰিত হৈছিল আৰু এইদৰে মৰ্দখয় ক্ৰমে অতিশয় মহান হৈ গৈছিল। ৫ যিহুদী লোকসকলে তেওঁলোকৰ শত্ৰুবোৰক তৰোৱালেৰে আঘাত কৰি, তেওঁলোকক বধ আৰু ধ্বংস কৰিলে। তেওঁলোকে তেওঁলোকক ঘৃণা কৰা সকললৈ যি দৰে কৰিবলৈ ইচ্ছা আছিল, সেই দৰে কৰিলে। ৬ চুচন ৰাজকোঁঠত যিহুদী লোকসকলে পাঁচশ লোকক বধ আৰু ধ্বংস কৰিলে। ৭ তেওঁলোকে বধ কৰা লোকসকল এওঁলোক: পৰ্চনদাথা, দলফোন,

অস্পথা, ৮ পোৰাথা, অদলিয়া, অৰীদাথা, ৯ পৰ্মস্তা, অৰীচয়, অৰীদয়,
আৰু বয়িজাথা। ১০ যিহুদী সকলৰ শত্রু হম্মদাথাৰ পুত্ৰ হামনৰ এই
দহ জন পুত্ৰক তেওঁলোকে বধ কৰিলে; কিন্তু তেওঁলোকে তাৰ একো
বস্তু লুট নকৰিলে। ১১ সেই দিনা যি সকলক চুচন ৰাজকোঁঠত বধ কৰা
হ'ল, তেওঁলোকৰ সংখ্যা ৰজাক জনোৱা হ'ল। ১২ ৰজাই ৰাণী ইষ্টেৰক
ক'লে, "যিহুদী লোকসকলে চুচন নগৰত হামনৰ দহ জন পুত্ৰৰ সৈতে
পাঁচশ লোকক বধ কৰিলে। তেনেহলে ৰজাৰ প্ৰদেশৰ আন ঠাইবোৰত
তেওঁলোক কিমান কৰিলে? এতিয়া তোমাৰ কি নিবেদন আছে?
তোমাৰ বাবে গ্ৰহণ কৰা হ'ব। তোমাৰ কি প্ৰাৰ্থনা আছে? তোমাৰ
বাবে তাকো গ্ৰহণ কৰা হ'ব।" ১৩ ইষ্টেৰে ক'লে, "যদি ৰজাৰ দৃষ্টিত
ভাল দেখে, তেনেহ'লে আজিৰ দৰে কাইলৈয়ো কৰিবলৈ চুচনত থকা
যিহুদী সকলক অনুমতি দিয়া হওক; আৰু হামনৰ দহ জন পুত্ৰৰ মৃত-
দেহবোৰ ফাঁচি কাঠত ওলমাই থোৱা হওক।" ১৪ সেয়ে ৰজাই সেই
দৰে কৰিবলৈ আজ্ঞা দিলে। সেই আজ্ঞা চুচনত জাৰি কৰা হ'ল; তাতে
হামনৰ দহ জন পুত্ৰৰ মৃত-দেহবোৰক ফাঁচি কাঠত ফাঁচি দি ওলমাই
থোৱা হ'ল। ১৫ চুচনত থকা যিহুদী লোকসকলে অদৰ মাহৰ চৌদ্ধ
দিনৰ দিনা গোট খালে, আৰু একত্রিত হৈ আহিল। চুচনত তেওঁলোকে
তিনিশ লোকতকৈয়ো অধিক লোক বধ কৰিলে, কিন্তু তাৰ পৰা একো
বস্তু লুট নকৰিলে। ১৬ ৰজাৰ প্ৰদেশ বোৰত থকা অৱশিষ্ট যিহুদী
লোকসকল গোট খাই একেলগ হৈ তেওঁলোকৰ প্ৰাণ ৰক্ষা কৰিবৰ বাবে
থিয় হ'ল। তেওঁলোকে শত্রুবোৰৰ পৰা সকাহ পালে; আৰু তেওঁলোকে
তেওঁলোকক ঘৃণা কৰা লোক সকলৰ পয়সত্তৰ হাজাৰ লোকক বধ
কৰিলে। কিন্তু তেওঁলোকে বধ কৰা লোক সকলৰ পৰা একো বস্তু
লুট নকৰিলে। ১৭ অদৰ মাহৰ তেৰ দিনৰ দিনা এই সকলো কাৰ্য
কৰিলে, আৰু চৌদ্ধ দিনৰ দিনা তেওঁলোকে জিৰণী ল'লে। সেই দিনটো
তেওঁলোকে ভোজ খোৱা আৰু আনন্দ কৰা দিন হিচাপে পালন কৰিলে।
১৮ কিন্তু চুচনত থকা যিহুদী লোকসকলে সেই মাহৰ তেৰ আৰু চৌদ্ধ
দিনৰ দিনা গোট খাই সমবেত হ'ল। পোন্ধৰ দিনৰ দিনাহে তেওঁলোকে
জিৰণী ল'লে, আৰু সেই দিন ভোজ খোৱা আৰু আনন্দ কৰা দিন

হিচাপে পালন কৰিলে। ১৯ এই কাৰণে গাঁৱত থকা যিহুদী লোকসকল
যি সকলে গড় নোহোৱা নগৰত বাস কৰিছিল, তেওঁলোক অদৰ মাহৰ
চতুৰ্দশ দিনটো আনন্দ, ভোজ, মঙ্গল আৰু ইজনে আন জনলৈ খাদ্যৰ
উপহাৰ পঠোৱা দিন স্বৰূপে পালন কৰিলে। ২০ মৰ্দখয়ে এই সকলো
বৃত্তান্ত লিখিলে আৰু ৰজা অহচবেৰোচৰ সকলো প্ৰদেশত থকা ওচৰৰ
হওক বা দূৰৰ আটাই যিহুদী লোকলৈ পত্ৰ পঠালে। ২১ প্ৰতি বছৰে
অদৰ মাহৰ চতুৰ্দশ দিন আৰু পঞ্চদশ দিন দুটা বাধ্যতামূলক ভাৱে
ইহুদী লোকসকলে পালন কৰে। ২২ এই দিনতে যিহুদী লোকসকলে
তেওঁলোকৰ শত্ৰুৰ পৰা সকাহ পাইছিল। তেওঁলোকৰ শোক আৰু
বিলাপ, সেই সময়ত আনন্দ আৰু উৎসৱলৈ পৰিণত হৈছিল। সেয়ে
তেওঁলোকে এই দুটা দিন ভোজ খোৱা, আনন্দ কৰা, আৰু ইজনে আন
জনক খাদ্যৰ উপহাৰ পঠোৱা, আৰু দুখীয়াক দান দিয়াৰ দিন হিচাপে
পালন কৰিছিল। ২৩ মৰ্দখয়ে যিহুদী লোকসকললৈ যি কৰিবলৈ
লিখিছিল; আৰু যি দৰে তেওঁলোকে আৰম্ভ কৰিছিল, সেই দৰেই
উৎসৱ উদযাপন কৰি থাকিল। ২৪ সেই সময়ত সকলো যিহুদী
লোকৰ শত্ৰু অগাগীয়া হম্মদাথাৰ পুত্ৰ হামনে তেওঁলোকক বিনষ্ট
কৰিবলৈ তেওঁলোকৰ অহিতে কু-কল্পনা কৰিছিল। যিহুদী সকলক
সৰ্ব্বনাশ আৰু বিনষ্ট কৰিবলৈ পুৰ খেলাইছিল (চিঠি খেলাইছিল)।
২৫ কিন্তু সেই কথা যেতিয়া ৰজাৰ ওচৰলৈ আহিল, তেতিয়া ৰজাই
পত্ৰৰ দ্বাৰা আজ্ঞা দিলে যে, হামনে যিহুদী লোকসকলৰ বিৰুদ্ধে কৰা
কু-কল্পনা তেওঁৰ ওপৰতে ফলিয়াবৰ বাবে তেওঁক আৰু তেওঁৰ দহ
জন পুত্ৰক ফাঁচি কাঠত ফাঁচি দি আঁৰি থোৱা হওক। ২৬ এই কাৰণে
তেওঁলোকে পুৰ নাম অনুসাৰে সেই দুটা দিনক পুৰীম বুলি কয়। এই
পত্ৰত লিখা সকলো কথা, আৰু সেই বিষয়ে তেওঁলোকে যি দেখিছিল
আৰু তেওঁলোকলৈ যি ঘটিছিল, সেই সকলোৰ কাৰণে, ২৭ যিহুদী
লোকসকলে নিজৰ, আৰু তেওঁলোকৰ বংশধৰ সকলৰ, আৰু যি সকল
লোক তেওঁলোকৰ লগত যোগদান কৰিছিল, সেই সকলো লোকে,
সেই দুটা দিনক এটা নতুন প্ৰথা আৰু কৰ্ত্তব্য বুলি গ্ৰহণ কৰিছিল। সেই
বিষয়ে লিখা মতে আৰু নিৰূপণ কৰা সময় অনুসাৰে তেওঁলোকে প্ৰতি

বছৰে সেই দুটা দিন নিৰ্দিষ্ট প্ৰণালীৰে পালন কৰিছিল। ২৮ তেওঁলোকে
এই প্ৰথা যাতে কেতিয়াও পাহৰি নাযায়, আৰু পুৰীম নামেৰে সেই
দুটা দিন যেন লুপ্ত নহয়; সেয়ে পুৰুষানুক্ৰমে প্ৰত্যেক প্ৰজন্ম, প্ৰত্যেক
পৰিয়াল, প্ৰত্যেক প্ৰদেশ, আৰু প্ৰত্যেক নগৰত সেই দুটা দিন নিৰীক্ষণ
কৰি পালন কৰিবলৈ যিহুদী লোকসকলে স্থিৰ কৰিলে। ২৯ তাৰ
পাছত অবীহয়িলৰ জীয়েক ৰাণী ইষ্টেৰ আৰু যিহুদী মৰ্দখয়ে সম্পূৰ্ণ
ক্ষমতাৰ সৈতে পুৰীমৰ বিষয় নিশ্চিত কৰিবলৈ দ্বিতীয় পত্ৰ লিখিলে।
৩০ ৰজা অহচবেৰোচৰ ৰাজ্যৰ এশ সাতাইশ খন প্ৰদেশত থকা যিহুদী
লোকসকলক নিৰাপত্তা আৰু সত্যতাৰ কামনা কৰি পত্ৰ পঠোৱা হ'ল।
৩১ লঘোন আৰু ক্ৰন্দনৰ বিষয়ে ইহুদী মৰ্দখয় আৰু ৰাণী ইষ্টেৰে যিহুদী
লোকসকলক আদেশ দিয়াৰ দৰে, নিৰূপিত সময়ত পুৰীমৰ সেই দুটা
দিন নিশ্চিত কৰিবলৈয়ো এই পত্ৰ লিখি পঠালে। ৩২ ইষ্টেৰৰ আজ্ঞা
অনুসাৰে পুৰীমৰ বিষয়ত নিয়ম স্থিৰ কৰা হ'ল; আৰু এই সকলোকে
পুস্তকত লিখা হ'ল।

**১০** তাৰ পাছত ৰজা অহচবেৰোচে দেশত, আৰু সমুদ্ৰৰ পাৰত
থকা দেশবোৰত কৰ ধাৰ্য্য কৰিলে। ২ তেওঁৰ ক্ষমতা আৰু পৰাক্ৰমৰ
সকলো কথা, ৰজাই মৰ্দখয়ক যি মহত্ত্ব দি ওখ পদত তুলিছিল, তাৰ
সম্পূৰ্ণ বৃত্তান্ত মাদিয়া আৰু পাৰস্যৰ ৰজা সকলৰ ইতিহাস পুস্তকত
লিখা আছে। ৩ যিহুদী মৰ্দখয় ৰজা অহচবেৰোচ দ্বিতীয় স্থানত আছিল।
যিহুদী লোক সকলৰ মাজত তেওঁ মহৎ আছিল, আৰু তেওঁৰ অনেক
যিহুদী ভাই সকলৰ মাজত জনাজাত আছিল। কিয়নো তেওঁ নিজৰ
লোক সকলৰ হিত চিন্তা কৰিছিল; আৰু তেওঁলোকৰ শান্তিৰ বাবে কথা
কৈছিল।

# যোব

**১** উচ দেশত ইয়োব নামেৰে এজন ব্যক্তি আছিল। সেই ব্যক্তি সিদ্ধ,
সৰল, ঈশ্বৰলৈ ভয় ৰাখোঁতা, আৰু দুষ্টতাৰ পৰা আঁতৰি থকা লোক
আছিল। ২ তেওঁৰ সাত জন পুতেক আৰু তিনি জনী জীয়েক আছিল।
৩ তেওঁৰ সাত হাজাৰ মেৰ-ছাগ আৰু ছাগলী, তিনি হাজাৰ উট, পাঁচ
শ হাল বলদ, পাঁচ শ গাধী, আৰু অতি অধিক দাস-দাসী আছিল;
এই কাৰণে সেই পুৰুষ পূব দেশৰ লোকসকলৰ মাজত সকলোতকৈ
মহান আছিল। ৪ তেওঁৰ পুতেকসকলে যিদিনা যাৰ ঘৰত পাল পৰে,
সেইদিনা তাৰ ঘৰলৈ যায় আৰু ভোজ খায়, লগতে মানুহ পঠাই
তেওঁলোকৰ তিনি জনী ভনীয়েককো তেওঁলোকৰ সৈতে ভোজন-
পান কৰিবলৈ নিমন্ত্রণ কৰে। ৫ পাছত তেওঁলোকৰ ভোজনৰ দিন
উকলি গ'লে, ইয়োবে মানুহ পঠিয়াই তেওঁলোকক পবিত্ৰ কৰায়, আৰু
ৰাতিপুৱাতে উঠি তেওঁলোকৰ সকলোৰে সংখ্যা অনুসাৰে হোম-বলি
দিয়ে; কাৰণ ইয়োবে কয়, "কিজানি মোৰ ল'ৰাহতে পাপ কৰি অন্তৰৰ
পৰা ঈশ্বৰক বিদায় দিলে"! সেয়ে ইয়োবে সদায় এইদৰে কৰে। ৬
এদিন ঈশ্বৰৰ সন্তান সকলে যিহোৱাৰ সন্মুখত থিয় হ'বলৈ উপস্থিত
হোৱাত, তেওঁলোকৰ লগত চয়তানো উপস্থিত হ'ল। ৭ তাতে যিহোৱাই
চয়তানক সুধিলে, "তুমি ক'ৰ পৰা আহিলা?" চয়তানে যিহোৱাক
উত্তৰ দি ক'লে, "মই পৃথিৱী ভ্ৰমণ কৰিলোঁ, আৰু তাৰ মাজত ইফালে
সিফালে ফুৰি আহিলোঁ।" ৮ তেতিয়া যিহোৱাই চয়তানক সুধিলে,
"তুমি মোৰ দাস ইয়োবলৈ মন কৰা নাই নে? কিয়নো তেওঁৰ নিচিনা
সিদ্ধ, সৰল, ঈশ্বৰলৈ ভয় ৰাখোঁতা, আৰু দুষ্টতাৰ পৰা আঁতৰি থাকোঁতা
লোক পৃথিৱীত কোনো নাই।" ৯ তেতিয়া চয়তানে উত্তৰ দি যিহোৱাক
ক'লে, "ইয়োবে জানো লাভ নোপোৱাকৈ ঈশ্বৰলৈ ভয় ৰাখিছে?
১০ আপুনি তেওঁৰ চাৰিওফালে, আৰু তেওঁৰ ঘৰৰ লগতে সৰ্ব্বস্বৰ
চাৰিওফালে জানো বেৰা দি ৰখা নাই? আপুনি তেওঁৰ হাতৰ কাৰ্যবোৰ
আশীৰ্ব্বাদযুক্ত কৰিছে আৰু তেওঁৰ সম্পত্তিও দেশত বৃদ্ধি পাইছে। ১১
কিন্তু আপুনি এবাৰ হাত মেলি তেওঁৰ সৰ্ব্বস্ব স্পৰ্শ কৰক; তেতিয়া
অৱশ্যেই তেওঁ আপোনাৰ সাক্ষাতে আপোনাক বিদায় দিব।" ১২

তেতিয়া যিহোৱাই চয়তানক ক'লে, "চোৱা, তেওঁৰ সৰ্ব্বস্বৰ ওপৰত
তোমাৰ ক্ষমতা আছে; কেৱল তেওঁৰ ওপৰতহে হাত নিদিবা।" তাৰ
পাছত চয়তান যিহোৱাৰ ওচৰৰ পৰা ওলাই গ'ল। ১৩ এদিন ইয়োবৰ
পুতেক-জীয়েকসকলে বৰককায়েকৰ ঘৰত ভোজন আৰু দ্ৰাক্ষাৰস
পান কৰি আছিল। ১৪ তেতিয়া ইয়োবৰ ওচৰলৈ এজন বাৰ্তাবাহক
আহিল আৰু তেওঁক ক'লে, "গৰুবোৰে হাল বাই আছিল আৰু গাধীবোৰ
সেইবোৰৰ ওচৰতে চৰি আছিল; ১৫ এনেতে চিবায়ীয়াহঁতে আক্ৰমণ
কৰি সেই সকলোকে লৈ গ'ল। এনে কি, সিহঁতে তৰোৱালৰ ধাৰেৰে
দাসবোৰক বধ কৰিলে। আপোনাক খবৰ দিবলৈ কেৱল মই অকলেহে
ৰক্ষা পালোঁ।" ১৬ এইদৰে সি কৈ থাকোতেই আন এজনে আহি ক'লে,
"আকাশৰ পৰা ঈশ্বৰৰ অগ্নি পৰি, দাসে সৈতে মেৰ-ছাগৰ জাকক
দগ্ধ কৰিলে আৰু সেইবোৰক গ্ৰাহ কৰিলে। আপোনাক খবৰ দিবলৈ
কেৱল মই অকলেহে ৰক্ষা পালোঁ।" ১৭ সি কৈ থাকোঁতে আকৌ আন
এজনে আহি ক'লে, "কলদীয়াহঁতে তিনিটা দলত ভাগ হৈ আহি আমাৰ
উটবোৰক আক্ৰমণ কৰিলে আৰু সেইবোৰক লৈ গ'ল। এনে কি,
সিহঁতে তৰোৱালৰ ধাৰেৰে দাস সকলক বধ কৰিলে। আপোনাক
সম্বাদ দিবলৈ কেৱল মই অকলেহে ৰক্ষা পালোঁ। ১৮ এইদৰে সি কৈ
থাকোতেই আকৌ আন এজনে আহি ক'লে, "আপোনাৰ পুতেক-
জীয়েক সকলে আপোনাৰ ডাঙৰ ককায়েকৰ ঘৰত ভোজন, আৰু
দ্ৰাক্ষাৰস পান কৰি আছিল; ১৯ এনেতে চাওক, মৰুপ্ৰান্তৰ দিশৰ
পৰা বৰ ধুমুহা আহি ঘৰটোৰ চাৰিওফালে লাগিল আৰু ঘৰটো ভাঙি
ডেকাসকলৰ ওপৰতে পৰাত, তেওঁলোকে তাতে প্ৰাণত্যাগ কৰিলে।
আপোনাক সম্বাদ দিবলৈ কেৱল মই অকলেহে ৰক্ষা পালোঁ। ২০
তেতিয়া ইয়োব উঠিল আৰু নিজৰ চোলা ফালিলে। পাছত মুৰ খুৰাই,
মাটিত পৰি প্ৰণিপাত কৰি ক'লে, ২১ "মই মাতৃৰ গৰ্ভৰ পৰা উদঙে
আহিলোঁ, আৰু উদঙে তালৈ উলটি যাম। যিহোৱাই দিছিল, আৰু
যিহোৱাই লৈ গ'ল। যিহোৱাৰ নাম ধন্য হওক।" ২২ এইদৰে এই
সকলো ঘটিল, কিন্তু ইয়োবে পাপ নকৰিলে, আৰু মূৰ্খতাপূৰ্ণভাৱে
ঈশ্বৰক দোষাৰোপ নকৰিলে।

২ আকৌ এদিন ঈশ্বৰৰ সন্তান সকলে যিহোৱাৰ সমুখত থিয় হ’বলৈ
উপস্থিত হ’ল, তেতিয়া তেওঁলোকৰ মাজত চয়তানো যিহোৱাৰ আগত
থিয় হ’বলৈ উপস্থিত হ’ল। ২ তেতিয়া যিহোৱাই চয়তানক সুধিলে,
“তুমি ক’ৰ পৰা আহিলা?” চয়তানে যিহোৱাক উত্তৰ দি ক’লে,
“মই পৃথিৱী ভ্ৰমণ কৰি আহিলোঁ আৰু তাৰ মাজত ইফালে সিফালে
ফুৰি আহিলোঁ। ৩ তেতিয়া যিহোৱাই চয়তানক সুধিলে, “মোৰ দাস
ইয়োবলৈ তুমি মন কৰা নাই নে? কিয়নো তেওঁৰ নিচিনা সিদ্ধ, সৰল,
ঈশ্বৰলৈ ভয় ৰাখোঁতা, আৰু দুষ্টতাৰ পৰা আঁতৰি থাকোঁতা লোক
পৃথিৱীত কোনো নাই; যদিও তুমি অকাৰণে তেওঁৰ সৰ্ব্বনাশ কৰিবলৈ
তেওঁৰ বিৰুদ্ধে মোৰ প্ৰবৃত্তি জন্মালা, তথাপি তেওঁ এতিয়াও নিজৰ
সিদ্ধতা ৰক্ষা কৰি আছে।” ৪ তেতিয়া চয়তানে যিহোৱাক উত্তৰ দি
ক’লে, “ছালৰ অৰ্থে ছাল, এনে কি প্ৰাণৰ অৰ্থে মানুহে সৰ্ব্বস্ব দিব
পাৰে। ৫ কিন্তু আপুনি পুনৰ এবাৰ হাত মেলি তেওঁৰ অস্থি আৰু মাংস
স্পৰ্শ কৰক; তেতিয়া তেওঁ অৱশ্যে আপোনাৰ সাক্ষাততে আপোনাক
বিদায় দিব।” ৬ তেতিয়া যিহোৱাই চয়তানক ক’লে, “চোৱা, তেওঁ
তোমাৰ হাতত আছে; কেৱল তেওঁৰ প্ৰাণৰ বিষয়ে সাৱধান হবা।” ৭
তাৰ পাছত চয়তান যিহোৱাৰ সন্মুখৰ পৰা ওলাই গ’ল আৰু ইয়োবক
আঘাত কৰিলে, তেতিয়া তেওঁৰ মূৰৰ তালুৰ পৰা ভৰিৰ তলুৱালৈকে
বিষ খহু উৎপন্ন হ’ল। ৮ ফলত তেওঁ ছাঁইৰ মাজত বহি পৰিল আৰু
এডোখৰ খোলা লৈ নিজৰ গা চুঁচিবলৈ ধৰিলে। ৯ পাছত তেওঁৰ
তিৰোতাই তেওঁক ক’লে, “আপুনি এতিয়াও নিজৰ সিদ্ধতা ৰক্ষা কৰি
থাকিব নে? ঈশ্বৰক বিদায় দিয়ক আৰু প্ৰাণত্যাগ কৰক।” ১০ তেতিয়া
তেওঁ তাইক ক’লে, “এজনী অজ্ঞানী তিৰোতাৰ দৰে তুমি কথা কৈছা।
আমি ঈশ্বৰৰ পৰা মঙ্গলহে গ্ৰহণ কৰিম নে, অমঙ্গলকো জানো গ্ৰহণ
নকৰিম?” এই সকলো বিষয়ত ইয়োবে নিজ ওঁঠেৰে পাপ নকৰিলে।
১১ পাছত এইদৰে ইয়োবলৈ ঘটা আপদবোৰৰ কথা তেওঁৰ তিনি
জন বন্ধুৰ কাণত পৰিল। তেওঁলোক হ’ল, তৈমনীয়া ইলীফজ, চুহীয়া
বিল্দাদ আৰু নামাথীয়া চোফৰ; তেওঁলোকে এক পৰামৰ্শ হৈ নিজ নিজ
ঠাইৰ পৰা আহি তেওঁৰ লগত শোক, আৰু তেওঁক শান্তনা দিবৰ বাবে

তেওঁৰ ওচৰলৈ আহিবলৈ সিদ্ধান্ত কৰিলে। ১২ পাছত তেওঁলোকে
দূৰৈৰ পৰা চকু তুলি চাই, তেওঁক দেখি চিনিব নোৱাৰিলে। তেতিয়া
তেওঁলোকে বৰকৈ চিঞঁৰি কান্দিবলৈ ধৰিলে, আৰু নিজ নিজ চোলা
ফালি, মূৰৰ ওপৰলৈ বুলি শূন্যত ধুলি ছটিয়ালে; ১৩ আৰু তেওঁলোকে
সাত দিন সাত ৰাতি তেওঁৰ লগত মাটিতে বহি থাকিল, তেওঁক
কোনেও কথা এষাৰকে নকলে; কাৰণ তেওঁলোকে তেওঁৰ দুখ অতি
অধিক দেখিছিল।

৩ পাছত ইয়োবে মুখ মেলি তেওঁৰ জন্ম-দিনক শাও দিলে। ২
ইয়োবে মাত লগাই ক'লে, ৩ যিদিনত মোৰ জন্ম হৈছিল, সেই দিন
বিনষ্ট হওক, আৰু পুত্ৰ-সন্তান গৰ্ভত স্থিতি হ'ল বুলি কোৱা ৰাতি বিনষ্ট
হওক। ৪ সেইদিন অন্ধকাৰময় হওক; ঈশ্বৰে ওপৰৰ পৰা তললৈ দৃষ্টি
নকৰক, আৰু তাৰ ওপৰত পোহৰ প্ৰকাশিত নহওক; ৫ অন্ধকাৰ আৰু
মৃত্যুচ্ছায়াই তাক নিজৰ বুলি গ্ৰহণ কৰক; মেঘে তাক ঢাকি ধৰক;
দিনক আন্ধাৰকৰোঁতা সকলোৱে তাৰ ভয় জন্মাওক। ৬ সেই ৰাতিক
ঘোৰ অন্ধকাৰে ধৰক। বছৰৰ দিনবোৰৰ মাজত সি আনন্দ নকৰক,
আৰু মাহৰ লেখতো নপৰক। ৭ চোৱা, সেই ৰাতি অসাৰ্থক হওক,
তাত কোনো আনন্দ-ধ্বনি নহওক। ৮ দিনক শাও দিওঁতাবোৰে তাক
শাও দিয়ক; বাহুক উচটাবলৈ নিপুণ লোকসকলে তাক শাও দিয়ক। ৯
সেইদিনৰ প্ৰভাতীয় তৰা যেন অন্ধকাৰ হৈ যায়। সেই ৰাতিয়ে যেন
প্ৰভাতৰ কাৰণে অপেক্ষা কৰে, কিন্তু সেই প্ৰভাত যেন কোনো দিন
নাহে। সেইদিনে যেন সূৰ্যৰ প্ৰথম ৰশ্মি কেতিয়াও নেদেখক। ১০
কিয়নো সি মোৰ মাতৃৰ গৰ্ভৰ দুৱাৰ বন্ধ নকৰিলে, আৰু মোৰ চকুৰ
পৰা ক্লেশ ঢাকি নথলে। ১১ মই কিয় গৰ্ভতে নমৰিলোঁ? উদৰৰ পৰা
বাহিৰ হোৱামাত্ৰে মই কিয় প্ৰাণত্যাগ নকৰিলোঁ? ১২ কোলাই মোক
কিয় ল'লে? আৰু মই পিয়াহ খাবলৈ স্তনে বা মোক কিয় গ্ৰহণ কৰিলে?
১৩ কিয়নো সেয়ে নোহোৱা হ'লে, মই শুই শান্তি পালোহেঁতেন, সেয়ে
নোহোৱা হ'লে, মই নিদ্ৰিত হলোঁহেঁতেন আৰু শান্তি পালোহেঁতেন। ১৪
তেতিয়া যিসকলে নিজৰ কাৰণে ধ্বংস-স্থান নিৰ্ম্মাণ কৰিছিল, এনে
ৰজাসকলৰ আৰু পৃথিৱীৰ মন্ত্ৰীসকলৰ লগত, ১৫ অথবা সোণ থকা

সেই ৰাজপুত্ৰ সকলৰ সৈতে থাকিব পাৰিলেহেঁতেন, আৰু যিসকলে
নিজ নিজ ঘৰ ৰূপেৰে পৰিপূৰ্ণ কৰিছিল, এনে লোকসকলৰ লগত
থাকি মই বিশ্ৰাম পালোঁহেঁতেন, ১৬ বা গুপ্ত গৰ্ভস্ৰাৱৰ দৰে মই একো
নহলোঁহেঁতেন, পোহৰ দেখিবলৈ নোপোৱা সন্তানৰ দৰে হলোঁহেঁতেন।
১৭ সেই ঠাইত দুষ্টবোৰে আৰু উপদ্ৰৱ নকৰে; ভাগৰুৱাই তাত জিৰণি
পায়। ১৮ তাত বন্দীয়াৰসকলেও একেলগে নিৰাপদে থাকে; ক্ৰীতদাস
সকলে কাৰ্যাধ্যক্ষ সকলৰ ডাবি-হুমকি আৰু নুশুনে। ১৯ তাত সৰু কি
বৰ সকলো একে; আৰু বন্দী তেওঁৰ গৰাকীৰ পৰা মুক্ত হয়। ২০
দুৰ্ভগীয়াক কিয় পোহৰ দিয়া যায়? মনত বিষাদ পোৱাসকলক কিয়
জীয়াই থাকিবলৈ দিয়া হয়? ২১ তেওঁলোকে মৃত্যুলৈ অপেক্ষা কৰে,
কিন্তু সেয়ে নাহে, আৰু গুপ্ত ধনতকৈয়ো তাক বৰকৈ বিচাৰে। ২২ কিয়
পোহৰে তেওঁলোকক অধিক উল্লাস দিয়ে, কিয় মৈদাম বিচাৰি পালে
তেওঁলোকে আনন্দ কৰে? ২৩ যাৰ পথ গুপ্ত থাকে, আৰু ঈশ্বৰে যাৰ
চাৰিওফালে বেৰা দিয়ে, এনে মানুহক কিয় পোহৰ দিয়া হয়? ২৪
কিয়নো মই খাবলৈ নৌপাওঁতেই মোৰ হুমুনিয়াহ আহে, আৰু মোৰ
কেঁকনি পানীৰ ধাৰৰ দৰে ওলাই থাকে। ২৫ কিয়নো মই যিহকে ভয়
কৰোঁ, সেয়ে মোলৈ ঘটে, আৰু যিহলৈ আশঙ্কা কৰোঁ, সেয়ে মোলৈ
আহে। ২৬ মোৰ সুখ নাই, শান্তি নাই, বিশ্ৰামো নাই, কিন্তু দুখহে আহি
থাকে।”

**4** তেতিয়া তৈমনীয়া ইলীফজে উত্তৰ কৰি ক’লে, ২ কোনোৱে তোমাৰ
লগত কথা ক’বলৈ আগবাঢ়িলে, তুমি বেজাৰ পাবা নে? কিন্তু কথা
নোকোৱাকৈ কোনে থাকিব পাৰে? ৩ চোৱা, তুমি অনেকক শিক্ষা
দিছিলা, দুৰ্ব্বল হাতক সবল কৰিছিলা; ৪ তোমাৰ বাক্যই উজুটি খাই
পৰিব খোজালোককো ধৰি ৰাখিছিল, আৰু তুমি দুৰ্ব্বল আঁঠুক সবল
কৰি ৰাখিছিলা। ৫ কিন্তু এতিয়া তোমালৈ এনে হোৱাত তুমি বেজাৰ
পাইছা, আৰু সেয়ে তোমাক স্পৰ্শ কৰাত তুমি ব্যাকুল হৈছা। ৬ ঈশ্বৰৰ
প্ৰতি থকা ভয়েই জানো তোমাৰ বিশ্বাসভূমি নহয়? আৰু তোমাৰ
আচৰণৰ সিদ্ধতাত জানো তোমাৰ আশা নাই? ৭ ভাবি চোৱাচোন,
নিৰ্দ্দোষী হৈ কোনে কেতিয়া বিনষ্ট হৈছিল? আৰু সৰল আচৰণ কৰা

সকলৰ ক'ত সংহাৰ হৈছিল? ৮ মই দেখাত হ'লে, যিসকলে অধৰ্মৰ
খেতি কৰে, আৰু ক্লেশৰূপ কঠিয়া সিচে, সিহঁতে সেইৰূপ শস্য দায়; ৯
ঈশ্বৰৰ নিশ্বাসৰ দ্বাৰাই সিহঁত বিনষ্ট হয়, আৰু তেওঁৰ কোপৰূপ প্ৰশ্বাসৰ
দ্বাৰাই সংহাৰ হয়। ১০ সিংহৰ গৰ্জ্জন আৰু মৃগৰাজৰ গোঁজৰণি বন্ধ
কৰা হয়, আৰু ডেকা সিংহবোৰৰ দাঁত ভঙা হয়। ১১ আহাৰৰ অভাৱত
পশুৰাজে প্ৰাণত্যাগ কৰে; সিংহিনীৰ পোৱালিবোৰ ঠান-বান হয়। ১২
এটা কথা মোলৈ গুপ্তৰূপে আহিল; মোৰ কাণত তাৰ ফুচফুচনি পৰিল।
১৩ ৰাতি সপোন দেখোতে যেতিয়া ভাবনা আহে, যেতিয়া সকলো
মানুহ ঘোৰ নিদ্ৰা যায়, ১৪ তেতিয়া মোলৈ ভয় আৰু কম্পন আহিল;
সেয়ে মোৰ হাড়বোৰ জোকাৰ খুৱালে। ১৫ যেতিয়া মোৰ আগেদি এক
ছাঁ পাৰ হৈ গ'ল; তেতিয়া মোৰ গাৰ নোমবোৰ সিয়ৰি উঠিল। ১৬ সেয়ে
ৰৈ থাকিল, কিন্তু মই তাৰ আকৃতি নিশ্চয় কৰিব নোৱাৰিলোঁ; এটা মূৰ্ত্তি
মোৰ চকুৰ আগত আছিল; মই মৃদুস্বৰ আৰু এটা বাণী শুনিলোঁ। ১৭
"ঈশ্বৰৰ সাক্ষাতে মৰ্ত্য জানো ধাৰ্মিক হ'ব পাৰে? বা নিজ সৃষ্টিকৰ্ত্তাৰ
সাক্ষাতে মনুষ্য জানো শুচি হ'ব পাৰে? ১৮ চোৱা, ঈশ্বৰে নিজৰ
দাসবোৰকো বিশ্বাস নকৰে, নিজ দূতবোৰৰো ক্ৰুটিৰ দোষ ধৰে; ১৯
তেনেহলে যিসকলে মাটিৰ ঘৰত বাস কৰে, যিসকলৰ উৎপত্তি ধূলিত,
যিসকল পোকৰ সন্মুখত চুৰ্ণীকৃত হয়, সেই সকলক তেওঁ আৰু কিমান
অধিক ক্ৰুটিৰ দোষ ধৰিব! ২০ প্ৰভাত আৰু সন্ধিয়া কালৰ মাজত
সিহঁতক গুড়ি কৰা যায়; সিহঁত কোনোৱে মন নিদিয়াকৈ চিৰকাললৈকে
বিনষ্ট হৈ যায়। ২১ সিহঁতৰ অন্তৰিক তম্বু-জৰী জানো সোলোকোৱা
নাযায়? সিহঁত মৰে, এনে কি অজ্ঞান অৱস্থাতেই সিহঁত মৰে।"

৫ "এতিয়া মাতাচোন, কোনোবাই তোমাক উত্তৰ দিব নে? আৰু
পবিত্ৰলোকৰ মাজত তুমি কালৈ মুখ কৰিবা? ২ কিয়নো মনৰ বেজাৰে
অজ্ঞানক বধ কৰে, আৰু অসুয়াই নিৰ্ব্বোধক হত্যা কৰে। ৩ মই নিজে
অজ্ঞানক শিপা ধৰা দেখিলোঁ, কিন্তু মই তৎক্ষণাৎ তাৰ বাসস্থানক শাও
দিলোঁ। ৪ তাৰ সন্তান সকলক ৰক্ষা কৰিবলৈ কোনো নাথাকিল, আৰু
সিহঁতক ৰাজদুৱাৰত গুড়ি কৰা হল; সিহঁতক উদ্ধাৰ কৰোঁতা কোনো
নাছিল। ৫ ক্ষুধাতুৰ লোকে তাৰ শস্য খাই পেলালে, কাঁইটৰ মাজত

যি শস্য গজিছিল, সেয়া তৃষ্ণাতুৰ লোকে খাইছিল, তেওঁলোকৰ যি
আছিল, লোভী লোকসকলে সকলো লৈ গৈছিল। ৬ কিয়নো অমঙ্গল
ধুলিৰ পৰা উৎপন্ন নহয়, আৰু মাটিৰ পৰা ক্লেশ নগজে; ৭ কিন্তু
জুইৰ ফিৰিঙটি যেনেকৈ ওপৰলৈ উড়ে, তেনেকৈ মানুহ দুখৰ কাৰণে
জন্মে। ৮ কিন্তু মই হোৱা হ'লে ঈশ্বৰলৈ ঘূৰি গলোঁহেতেন, আৰু মোৰ
গোচৰ ঈশ্বৰৰ আগত উপস্থিত কৰিলোঁহেতেন। ৯ অনুসন্ধান কৰিব
নোৱাৰা মহৎ কৰ্মও তেওঁ কৰে; অসংখ্য অদ্ভুত কাৰ্যও তেওঁ কৰে; ১০
তেওঁ পৃথিৱীৰ ওপৰত বৃষ্টি বৰষায়, আৰু পথাৰৰ ওপৰত জল বোৱাই
দিয়ে; ১১ তেওঁ নীহলোকক ওখ কৰে, আৰু শোকাতুৰ লোকসকল
সৌভাগ্যলৈ উন্নত হয়। ১২ তেওঁ ধূৰ্তবোৰৰ কল্পনা ব্যৰ্থ কৰে; তাতে
সিহঁতৰ হাতে সিহঁতৰ অভিপ্ৰায় সাধন কৰিব নোৱাৰে। ১৩ তেওঁ
জ্ঞানীলোকক সিহঁতৰ নিজৰ চতুৰতাত ধৰে; তাতে কুটিলমনবোৰৰ
কল্পনা নিস্ফল হৈ পৰে। ১৪ সিহঁতে দিনতেই আন্ধাৰক লগ পায়,
ৰাতিৰ নিচিনাকৈ দিন-দুপৰতে খপিয়াই ফুৰে। ১৫ কিন্তু তেওঁ সিহঁতৰ
মুখৰূপ তৰোৱালৰ পৰা, আৰু পৰাক্ৰমী হাতৰ পৰা দৰিদ্ৰক উদ্ধাৰ
কৰে। ১৬ এইদৰে দীনহীনে আশা পায়, আৰু অধৰ্মই নিজৰ মুখ
বন্ধ কৰে। ১৭ চোৱা, যি মানুহক ঈশ্বৰে শুধৰায়, সেই মানুহ ধন্য;
এই কাৰণে তুমি সৰ্ব্বশক্তিমান জনাৰ শাস্তি হেয়জ্ঞান নকৰিবা। ১৮
কিয়নো তেওঁ ঘা লগায়, আৰু তাক বান্ধে; তেওঁ আঘাত কৰে, আৰু
নিজ হাতেৰে তাক সুস্থ কৰে। ১৯ তেওঁ ছয় সঙ্কটৰ পৰা তোমাক
উদ্ধাৰ কৰিব; এনে কি, সাত সঙ্কটতো অমঙ্গলে তোমাক স্পৰ্শ কৰিব
নোৱাৰিব। ২০ তেওঁ আকালত মৃত্যুৰ পৰা তোমাক মুক্ত কৰিব,
আৰু যুদ্ধত তৰোৱালৰ মুখৰ পৰা উদ্ধাৰ কৰিব। ২১ তুমি জিভাস্বৰূপ
চাবুকৰ কোবৰ পৰা লুকাই থাকিবা; আৰু বিনাশ আহিলে তুমি তাৰ
পৰা ভয় নাপাবা। ২২ বিনাশ আৰু দুৰ্ভিক্ষক দেখা পালে তুমি হাঁহিবা,
আৰু বনৰীয়া জন্তুৰ পৰা তুমি ভয় নাপাবা। ২৩ কিয়নো পথাৰৰ
শিলবোৰৰ লগত তোমাৰ সন্ধি হ'ব, আৰু বনৰীয়া জন্তুবোৰ তোমাৰ
লগত শান্তভাৱে থাকিব। ২৪ তাতে তোমাৰ তম্বু যে কুশলে আছে,
সেই বিষয়ে তুমি জানিবলৈ পাবা, আৰু তোমাৰ নিবাসৰ ঠাইত তুমি

বুজ ল’লে, আশাত বঞ্চিত নহবা। ২৫ তোমাৰ সন্তান-সন্ততি যে অধিক
হ’ব, আৰু তোমাৰ বংশ যে পৃথিবীত তৃণৰ দৰে বাঢ়িব, সেই বিষয়েও
তুমি জানিবলৈ পাবা। ২৬ ডাঙৰি যেনেকৈ উচিত সময়ত লৈ যোৱা
হয়, তেনেকৈ তোমাকো সম্পূৰ্ণ আয়ুসত মৈদামলৈ নিয়া হ’ব। ২৭
চোৱা, এয়া আমাৰ কথা, আমি বিবেচনা কৰি ইয়াকে নিশ্চয় পালোঁ;
ইয়াকে তুমি শুনা, আৰু তুমি নিজৰ ভালৰ অৰ্থে তাক গ্ৰহণ কৰা।”
৬ তেতিয়া ইয়োবে উত্তৰ দি ক’লে, ২ “অস, মোৰ মনৰ বেজাৰ
জুখিব পৰা হ’লে, আৰু তাৰ লগতে এফালে মোৰ ক্লেশকো দিব
পৰা হ’লে, কেনে ভাল আছিল। ৩ কিয়নো সেয়ে হোৱা হ’লে, ই
সমুদ্ৰৰ বালিতকৈয়ো গধুৰ হ’লহেঁতেন; এই হেতুকে মোৰ বাক্য
অবিবেচনাযুক্ত। ৪ কিয়নো সৰ্ব্বশক্তিমান জনাৰ বাণবোৰ মোৰ
অন্তৰত সোমাল, মোৰ প্ৰাণে সেইবোৰৰ বিষ পান কৰিছে; ঈশ্বৰীয়
ত্ৰাস সৈন্য সমূহে মোৰ বিৰুদ্ধে বেহু পাতিছে। ৫ বনৰীয়া গাধই ঘাঁহ
পালে জানো চিঞৰে? বা গৰুৱে দানা পালে জানো হেম্বেলিয়াই? ৬
যিহৰ সোৱাদ নাই, তাক জানো লোণ নিদিয়াকৈ খোৱা যায়? বা কণীৰ
বগা বিজলুৱা অংশত জানো আস্বাদ আছে? ৭ মোৰ প্ৰাণে যি যি চুবলৈ
অসন্মত, সেইবোৰেই মোৰ ঘিণলগীয়া আহাৰস্বৰূপ হ’ল। ৮ অস!
মোৰ নিবেদন সফল হোৱা হ’লে, আৰু ঈশ্বৰে মোৰ বাঞ্ছনীয়খিনি দিয়া
হ’লে, কেনে ভাল আছিল। ৯ অস! ঈশ্বৰে অনুগ্ৰহ কৰি মোক গুড়ি
কৰা হ’লে, তেওঁ হাত মেলি মোক কাটি পেলোৱা হ’লে, কেনে ভাল
আছিল। ১০ সেয়ে হোৱা হ’লেও মই শান্ত্বনা পালোহেঁতেন, এনে কি,
মই নিদাৰুণ যান্ত্ৰণাতো উল্লাস কৰিলোহেঁতেন; কিয়নো মই পবিত্ৰ
জনাৰ বাক্য অস্বীকাৰ কৰা নাই। ১১ মোৰ বলনো কি, মই যে অপেক্ষা
কৰিম? আৰু মোৰ শেষগতি নো কি, মই যে সহি থাকিম? ১২ মোৰ বল
জানো শিলৰ বল? বা মোৰ মাংস জানো পিতলৰ? ১৩ মই একেবাৰেই
উপায়হীন নহওঁ নে? আৰু বুদ্ধি-কৌশল মোৰ পৰা সমুলি দূৰ কৰা
নহ’ল নে? ১৪ নিৰাশ হৈ যোৱা জনে নিজ বন্ধুৰ পৰা দয়া পাব লাগে;
সেয়ে নহ’লে কিজানি তেওঁ সৰ্ব্বশক্তিমান জনাৰ ভক্তি ত্যাগ কৰিব।
১৫ মোৰ ভাইসকল পৰ্ব্বতৰ জুৰিৰ নিচিনা বিশ্বাসঘাতক; বৈ শুকাই

যোৱা জুৰিৰ নিচিনা অবিশ্বাসী। ১৬ সেইবোৰ বৰফৰ কাৰণে ঘোলা হৈ
পৰে, আৰু হিম সেইবোৰত লীন হৈ যায়; ১৭ কিন্তু শীতকাল হোৱামাত্রে
সেইবোৰ লুপ্ত হয়, আৰু গ্রীষ্মকালত নিজ ঠাইৰ পৰা নাইকিয়া হয়। ১৮
সেইবোৰৰ কাষে কাষে যোৱা ভ্রমনকৰীদলবোৰে বাট এৰি যায়, আৰু
মৰুপ্রান্তত গৈ সোমাই বিনষ্ট হয়। ১৯ তেমাৰ ভ্রমনকাৰীদলবোৰে
সেইবোৰক বিচাৰে, আৰু চিবাৰ যাত্রীসমূহে সেইবোৰলৈ অপেক্ষা
কৰে; ২০ কিন্তু তেওঁলোক আশাত বঞ্চিত হয়, তেওঁলোক সেই ঠাইলৈ
গৈ হতাশ হয়। ২১ কিয়নো এতিয়া তোমালোক একো নোহোৱা;
তোমালোকে আপদ দেখি ভয় পাইছা। ২২ মই জানো তোমালোকক
কৈছিলোঁ যে, মোক কিছু দিয়া; তোমালোকৰ সম্পত্তিৰ পৰা মোক
উপহাৰ দিয়া? ২৩ বা শত্রুৰ হাতৰ পৰা মোক ৰক্ষা কৰা, নাইবা
অত্যাচাৰীহঁতৰ হাতৰ পৰা মোক মুক্ত কৰা? ২৪ মোক শিক্ষা দিয়া,
তাতে মই নিমাতে থাকিম; আৰু মোৰ ভুল কি, সেই বিষয়ে মোক
বুজায় দিয়া। ২৫ ন্যায় বাক্য কেনে বেদনাদায়ক! কিন্তু তোমালোকৰ
তর্ক-বিতর্কত কি দোষ প্রকাশিত হয়? ২৬ তুমি কি বায়ুতুল্য কথাৰে
নিৰাশজনক আচৰণ কৰিবা, নে তুমি মোক বাক্যৰে অবহেলা কৰাৰ
পৰিকল্পনা কৰিছা? ২৭ তোমালোকে দেখোন পিতৃহীনৰেই চিঠি
খেলালাহেঁতেন, আৰু নিজ বন্ধুকো বেপাৰৰ বস্তু কৰিলাহেঁতেন।
২৮ এতিয়া তোমালোকে অনুগ্রহ কৰি মোলৈ চোৱা; কিয়নো মই
নিশ্চয়ে তোমালোকৰ আগত মিছা কথা নকওঁ। ২৯ মই মিনতি কৰোঁ,
তোমালোকে পুনৰায় আৰম্ভ কৰা, কোনো অন্যায় নহওঁক; আকৌ
কওঁ, পুনৰায় আৰম্ভ কৰা, মোৰ ধার্মিকতা এতিয়াও থিৰে আছে। ৩০
মোৰ জিভাত জানো অন্যায় আছে? মোৰ জিভাই জানো চাকি চায়
মন্দ বিষয়ৰ আস্বাদ বুজিব নোৱাৰে?

**৭** পৃথিৱী জানো মানুহৰ ৰণ-ভুমি নহয়? তাৰ দিনবোৰ জানো বেচ
খাই বন কৰা লোকৰ দিনৰ নিচিনা নহয়? ২ সন্ধিয়াৰ ছাঁলৈ হাবিয়াহ
কৰা বন্দীৰ নিচিনাকৈ, আৰু নিজ বেচৰ বাবে অপেক্ষা কৰা চাকৰৰ
নিচিনাকৈ, ৩ অসাৰ মাহ কেইটা অধিকাৰ স্বৰূপে মোক ভোগ কৰোঁৱা
হৈছে, আৰু ক্লেশৰ ৰাতি কেইটা মোলৈ নিৰূপিত আছে। ৪ শোওঁতে

মই কওঁ, মই কেতিয়া উঠিম? ৰাতি বৰ দীঘল; মই প্ৰভাতলৈকে
চটফট কৰি আমনি পাওঁ। ৫ পোক আৰু মাটিৰ দলিয়েই মোৰ গা
ঢকা বস্ত্ৰস্বৰূপ; মোৰ গাৰ ঘাঁবোৰ শুকনিমুৱা হয় আৰু পুনৰ পকে আৰু
নতুন হয়। ৬ মোৰ আয়ুস তাঁতীৰ হাতৰ মাকোতকৈয়ো বেগী, আৰু
বিনা আশাৰে ঢুকায় যায়। ৭ তুমি ভাবি চোৱা, মোৰ প্ৰাণ নিশ্বাসমাত্ৰ;
মোৰ চকুৱে মঙ্গল আৰু দেখিবলৈ নাপাব। ৮ মোক দৰ্শন কৰোঁতাৰ
চকুৱে মোক পুনৰ নেদেখিব। তুমি নিজ চকুৰে মোক চাবা, কিন্তু মই
নাইকিয়া হম। ৯ মেঘ যেনেকৈ কমি কমি নাইকিয়া হয়, সেইদৰে
চিয়োললৈ নামি যোৱা লোক নুঠিব। (Sheol h7585) ১০ তেওঁ নিজৰ
ঘৰলৈ পুনৰ উলটি নাহিব, আৰু তাৰ নিবাসৰ ঠায়ে তাক পুনৰ চিনি
নাপাব। ১১ এই হেতুকে মই মুখ জপাই নাথাকিম; মই মনৰ সন্তাপত
কথা কম আৰু হৃদয়ৰ বেজাৰত দুখৰ কথা কৈ থাকিম; ১২ তুমি যে
মোৰ ওপৰত পৰীয়া ৰাখা, মই জানো সাগৰ, বা সাগৰৰ বৃহৎ জন্তু?
১৩ মই যেতিয়া কওঁ, যে, 'মোৰ বিচনাই মোক শান্তনা কৰিব, মোৰ
শয্যাই মোক দুখ-সহন কৰিবলৈ সহায় কৰিব', ১৪ তেতিয়া তুমি নানা
সপোনেৰে মোক ভয় লগোৱা, আৰু দৰ্শনেৰে মোক ত্ৰাসযুক্ত কৰা; ১৫
তেতিয়া মোৰ প্ৰাণে উশাহ লোৱা বন্ধ কৰি দিবলৈ বাঞ্ছা কৰে, আৰু
মোৰ এই হাড় কেইডালতকৈ মৃত্যুকে ইচ্ছা কৰে। ১৬ জীৱনক মোৰ
ঘিণ লাগিছে, মই সদায় জীয়াই থাকিব নোখোজোঁ; জীৱনৰ অৰ্থহীন
দিনকেইটা মোক অকলশৰে থাকিবলৈ দিয়া। ১৭ মানুহনো কি, তুমি
যে তালৈ লক্ষ্য কৰা, আৰু তাত যে তুমি মন দিয়া, ১৮ তুমি যে প্ৰতিটো
ৰাতিপুৱা তাৰ বুজ-বিচাৰ লোৱা, আৰু নিমিষে নিমিষে তাক পৰীক্ষা
কৰা, সি নো কি? ১৯ তুমিনো মোৰ পৰা চকু নাতৰোৱাকৈ কিমান
কাল থাকিবা? বা মই সেপ ঢোকা পৰ মানো মোক নেৰিবা নে? ২০ হে
মনুষ্যলৈ চকু দিওঁতা জনা, যদি মই পাপ কৰিলোঁ, তেন্তে মোৰ কাৰ্যৰ
দ্বাৰাই তোমাৰ কি হানি হ'ল? কিয় তুমি মোক লক্ষ্যৰূপে গঢ়িলা,
কিয়নো মই তোমালৈ বোজাস্বৰূপ হৈছোঁ? ২১ তুমি মোৰ পাপ কিয়
ক্ষমা নকৰা? আৰু মোৰ অপৰাধ তুমি কিয় দূৰ নকৰা? কিয়নো মই

এতিয়া ধুলিতে শয়ন কৰিছোঁ; ইয়াতে তুমি মোক ভালকৈ বিচাৰিবা,
কিন্তু মই ইয়াত বিদ্যমান হৈ নাথাকিম।”

৮ তেতিয়া চুহীয়া বিল্দাদে উত্তৰ দিলে আৰু ক’লে, ২ তুমি নো
কিমান সময় এনেবোৰ কথা কৈ থাকিবা? তোমাৰ মুখৰ বাক্য কিমান
সময়লৈ প্ৰচণ্ড বায়ুস্বৰূপ হ’ব? ৩ ঈশ্বৰে জানো বিচাৰ বিকৃত কৰে?
সৰ্ব্বশক্তিমান জনাই জানো ন্যায়ৰ বিকৃত কাৰ্য কৰে? ৪ তোমাৰ
সন্তান সকলে তেওঁৰ বিৰুদ্ধে পাপ কৰিলে। আমি এইটো জানো যে,
তেওঁলোকক নিজৰ অধৰ্মৰ ফল ভোগ কৰিবলৈ তেওঁ এৰি দিলে, ৫
তথাপি তুমি যদি যত্নেৰে ঈশ্বৰক বিচাৰা, আৰু সৰ্ব্বশক্তিমান জনাৰ
আগত নিবেদন কৰা, ৬ তুমি যদি নিৰ্ম্মল আৰু সৰল হোৱা, তেন্তে
তেওঁ অৱশ্যে এতিয়াও তোমাৰ কাৰণে কাৰ্য কৰিব, আৰু তোমাৰ
ধৰ্মনিবাস পুনৰায় কুশলযুক্ত কৰিব; ৭ আৰু যদি তোমাৰ পূৰ্বৰ অৱস্থা
সামান্য আছিল, তথাপি তোমাৰ শেষ অৱস্থা অতিশয় ঐশ্বৰ্য্যশালী হ’ব।
৮ কিয়নো পূৰ্বকালৰ লোকৰ কথা বিচাৰ কৰি চোৱা, আৰু তেওঁলোকৰ
পিতৃসকলে মিমাংসা কৰি নিশ্চয় কৰা কথাত মনোযোগ দিয়া; ৯
কিয়নো আমি কালিৰ লোক, একোকে নাজানো; কাৰণ পৃথিবীত
আমাৰ দিন কেইটা ছাঁস্বৰূপ। ১০ তেওঁলোকেই তোমাক শিক্ষা দি
নক’ব নে? আৰু তেওঁলোকৰ অন্তৰৰ পৰা বাক্য নুলিয়াব নে? ১১
জলাশয় নোহোৱাকৈ জানো প্যাপিৰাচ বাঢ়িব পাৰে? কুঁহিলা জানো
পানী নোহোৱাকৈ বাঢ়ে? ১২ সি জকমকাই উঠি আহোঁতে, কাটিবৰ
সময় নৌ হওঁতেই, আনবোৰ তৃণতকৈ আগেয়ে শুকাই যায়। ১৩
ঈশ্বৰক পাহৰা সকলোৰে তেনেকুৱা গতি হয়, আৰু অধৰ্মি জনৰ আশা
সেইদৰে নষ্ট হয়। ১৪ তাৰ ভাৰসা উচ্ছন্ন হয়, আৰু তাৰ আশ্ৰয় মকৰাৰ
জালস্বৰূপ হয়। ১৫ সি নিজৰ ঘৰত আউজিব, কিন্তু সেয়ে থিৰে নৰব;
সি খামোচ মাৰি ধৰিব, কিন্তু সেয়ে নাথাকিব। ১৬ যি লতা সূৰ্যৰ আগত
ৰসাল হয়, যাৰ ঠালবোৰ বাৰীত বিয়পি যায়, ১৭ যাৰ শিপাবোৰে
শিলৰ দ’মত মেৰাই ধৰে, যি লতাই শিলৰ ভিতৰলৈকে দেখিবলৈ
পায়, ১৮ কিন্তু সেই ব্যক্তিক নিজ ঠাইৰ পৰা উঘালি পেলোৱা হ’লে,
সেই ঠায়ে অস্বীকাৰ কৰিব আৰু ক’ব, ‘মই তোমাক কেতিয়াও দিখা

নাই’। ১৯ চোৰা, তেনেলোকৰ ব্যৱহাৰৰ এয়ে আমোদ; পাছত সেই
ঠাইৰ পৰাই আন গছবোৰ উৎপন্ন হ’ব। ২০ চোৱা, ঈশ্বৰে সিদ্ধলোকক
দলিয়াই নেপেলাব, আৰু দুৰাচাৰীহঁতৰ হাতত নধৰিব। ২১ তেওঁ যি
কালত তোমাৰ মুখ হাঁহিৰে, আৰু তোমাৰ ওঁঠ আনন্দ-ধ্বনিৰে পুৰ
কৰিব, ২২ সেই কালত তোমাক ঘিণ কৰোঁতাবোৰক লজ্জাৰূপ বস্ত্ৰ
পিন্ধোৱা হ’ব; আৰু দুষ্টবোৰৰ তম্বু নাথাকিব।”

**৯** তেতিয়া ইয়োবে পুনৰ উত্তৰ দিলে আৰু ক’লে, ২ “মই নিশ্চয়ে
জানো, সেই কথা স্বৰূপ; কিন্তু এজন ব্যক্তি কেনেকৈ ঈশ্বৰৰ সৈতে
ধাৰ্মিক হ’ব পাৰে? ৩ যদি তেওঁ ঈশ্বৰৰ সৈতে বাদানুবাদ কৰিব খোজে,
তেন্তে তেওঁক হাজাৰ কথাৰ মাজৰ এটিৰো উত্তৰ দিব নোৱাৰিব। ৪
ঈশ্বৰৰ অন্তৰত জ্ঞান আছে, আৰু শক্তিত তেওঁ পৰাক্ৰমী; তেওঁৰ বিৰুদ্ধে
ডিঙি ঠৰ কৰি কোনে কেতিয়া উন্নতি লাভ কৰিলে? ৫ তেওঁ পৰ্ব্বতবোৰ
স্থানান্তৰ কৰে; আৰু তেওঁ সেইবোৰক নিজ ক্ৰোধত লুটিয়াই পেলাওঁতে
সেইবোৰে একো গম নাপায়। ৬ তেওঁ পৃথিবীক জোকাৰি নিজ ঠাইৰ
পৰা লৰায়; তাৰ স্তম্ভবোৰ থৰথৰকৈ কঁপে। ৭ এইজনা সেই একে
ঈশ্বৰ, যি জনাই ক’লে সূৰ্য উদয় নহয়; আৰু তেওঁ তৰাবোৰ বন্ধ কৰি
মোহৰ মাৰে। ৮ তেওঁ অকলেই আকাশ-মণ্ডলক বিস্তাৰিত কৰে,
আৰু ঢৌবোৰৰ ওপৰেদি অহা-যোৱা কৰে। ৯ তেওঁ সপ্তৰ্ষি, মৃগশীৰ্ষ,
কৃত্তিকা, আৰু দক্ষিণদিশে থকা নক্ষত্ৰ-ৰাশিৰ সৃষ্টিকৰ্ত্তা। ১০ অনুসন্ধান
পাব নোৱাৰা মহৎ কৰ্ম তেওঁ কৰে; অসংখ্য অদ্ভুত কাৰ্যও তেৰেঁই
কৰে। ১১ চোৱা, তেওঁ মোৰ ওচৰেদি যায়, কিন্তু মই নেদেখোঁ; তেওঁ
মোৰ সম্মুখেদি গমন কৰে, তথাপি মই তেওঁক অনুভৱ নকৰোঁ। ১২
চোৱা, তেওঁ ধৰি নিলে তেওঁক কোনে নিবাৰণ কৰিব পাৰে? তুমি কি
কৰিছা বুলি তেওঁক কোনে কব পাৰে? ১৩ ঈশ্বৰে নিজৰ ক্ৰোধ উঠাই
নলয়; এনে কি ৰাহবক সহায় কৰোঁতাবোৰো তেওঁৰ সন্মুখত নত হয়।
১৪ মই কেনেকৈ তেওঁক উত্তৰ দিম? তেওঁক কাৰণ দেখুৱাবলৈ মই নো
কেনেকৈ কথা বাচি লম? ১৫ মই যদি ধাৰ্মিকো হওঁ, তথাপি তেওঁক
মই উত্তৰ দিব নোৱাৰোঁ; মোৰ অভিযোক্তাৰ দয়াৰ বাবে মই মাথোন
নিবেদনহে কৰিব পাৰোঁ। ১৬ যদিও মই মাতো আৰু তেওঁ মোক উত্তৰ

দিয়ে; তথাপি তেওঁ যে মোৰ মিনতিলৈ কাণ পাতিব, মোৰ এনে বিশ্বাস
নজন্মে। ১৭ তেওঁ মোক প্রবল ধুমুহাৰে ভাঙিব, আৰু অকাৰণে মোক
বাৰে বাৰে ক্ষতবিক্ষতহে কৰিব। ১৮ তেওঁ মোক উশাহকে ল’ব নিদিব,
কিন্তু মোক তিতাৰেহে পৰিপূর্ণ কৰিব। ১৯ পৰাক্রমীৰ বলৰ কথাত
হলে, তেওঁ কয়, চোৱা, মই আছোঁ, আৰু যদি বিচাৰৰ কথাত কয়,
কোনে মোৰ নিমিত্তে দিন নিৰূপণ কৰিব? ২০ মই ধার্মিক হলেও মোৰ
মুখে মোক দোষী কৰিব; মই সিদ্ধ হলেও তেওঁ মোক অপৰাধী পাতিব।
২১ মই সিদ্ধ, মই নিজ প্রাণক নামনি ইয়াকে কওঁ; জীৱনত মোৰ ঘিণ
লাগিছে। ২২ সকলো বিষয়তে একে, সেই দেখি মই কওঁ, তেওঁ সিদ্ধ
আৰু দুর্জন এই দুয়োকো সংহাৰ কৰে। ২৩ আপদৰূপ চাবুকে যদি
মানুহক অকস্মাতে মাৰি পেলায়, তেন্তে তেওঁ নির্দ্দোষীবিলাকৰ নিৰাশা
দেখি হাঁহিব। ২৪ পৃথিৱী দুর্জনৰ হাতত শোধাই দিয়া হয়; তেওঁ তাৰ
বিচাৰকৰ্ত্তাবিলাকৰ মুখ ঢাকে; যদি তেওঁ নহয়, তেন্তে তাকনো কোনে
কৰে? ২৫ মোৰ দিন কেইটা ডাকৱালাতকৈয়ো বেগী; একো মঙ্গল
নেদেখাকৈ সেইবোৰ বেগাই যায়। ২৬ সেইবোৰ বেগী নাৱৰ দৰে চলি
যায়, বা আহাৰৰ ওপৰত চোঁ মৰা ঈগল পক্ষী নিচিনাকৈ উৰি যায়।
২৭ যদিও মই কওঁ যে, মোৰ দুখৰ কথা পাহৰি যাম, আৰু ম্লানমুখ
দূৰ কৰি প্রসন্ন হম, ২৮ তথাপি তুমি মোক নির্দ্দোষী জ্ঞান নকৰিবা
বুলি জানি, মোৰ সকলো যাতনাত মই জিকাৰ খাই উঠো। ২৯ মই
দোষী হবই লাগিব; তেতিয়া হ’লে কিয় মই অনর্থক পৰিশ্রম কৰোঁ?
৩০ যদি মই হিমৰ পানীত গা ধোওঁ, আৰু খাৰেৰে হাত চাফা কৰোঁ,
৩১ তথাপি তুমি মোক খালত জুবুৰিয়াবা, আৰু মোৰ নিজৰ বস্ত্রয়ো
মোক ঘিণ কৰিব। ৩২ কিয়নো তেওঁ মোৰ নিচিনা মানুহ নহয় যে, মই
তেওঁক উত্তৰ দিম, বা দুয়ো একে-লগে বিচাৰস্থানলৈ যাম। ৩৩ আমাৰ
দুয়োৰো ওপৰত হাত দিব পৰা এনেকুৱা মধ্যস্থ কোনো নাই। ৩৪
তেওঁ মোৰ ওপৰৰ পৰা বিচাৰৰ দণ্ডডাল আঁতৰাওক, আৰু তেওঁৰ
ভয়ানকতাই মোক ভয় নলগাওক; ৩৫ তেতিয়া মই কথা কম, তেওঁক
ভয় নকৰিম; কিয়নো মই নিজে তেনেকুৱা নহওঁ।

১০ মোৰ জীৱনত মোৰ প্ৰাণৰ আমনি লাগিছে; মই মুক্তকণ্ঠে মোৰ
দুখৰ কথা কম; মই হৃদয়ৰ বেজাৰত কথা কম। ২ মই ঈশ্বৰক কম,
‘তুমি মোক দোষী নকৰিবা; মোৰ লগত তোমাৰ কি গোচৰ আছে,
সেয়া মোক বুজায় দিয়া। ৩ তুমি উপদ্ৰৱ কৰিবলৈ, তোমাৰ হাতৰ
কাৰ্য তুচ্ছ কৰিবলৈ, আৰু দুষ্টবোৰৰ মন্ত্ৰণাত প্ৰসন্ন হবলৈ তুমি জানো
ভাল দেখিছা? ৪ তোমাৰ চকু জানো চৰ্ম্ম-চকু? আৰু তোমাৰ দৃষ্টি
জানো মানুহৰ দৃষ্টিৰ নিচিনা? ৫ তোমাৰ আয়ুস জানো মানুহৰ আয়ুসৰ
তুল্য? বা তোমাৰ বছৰবোৰ জানো মানুহৰ দিন কেইটাৰ দৰে? ৬
তুমি যে মোৰ অপৰাধ অনুসন্ধান কৰিছা, আৰু মোৰ পাপৰ বুজ-বিচাৰ
লৈছা, ৭ মই যে দুষ্ট নহওঁ, আৰু তোমাৰ হাতৰ পৰা যে উদ্ধাৰ কৰোঁতা
মোৰ কোনো নাই, ইয়াক তুমি জানানে? ৮ তোমাৰ হাতে মোক গঠন
আৰু নিৰ্ম্মাণ কৰিলে, মোৰ সৰ্ব্বাঙ্গ সংলগ্ন কৰিলে; তথাপি তুমি মোক
বিনষ্ট কৰিছা। ৯ সোঁৱৰণ কৰা, মাটিৰ পাত্ৰৰ দৰে মোক গঢ়িলা;
পাছত আকৌ মোক ধুলিলৈ নিবা নে? ১০ তুমি গাখীৰৰ দৰে মোক
ঢলা নাই নে? আৰু তুমি মোক পনীৰৰ দৰে ঘন দৈ গাখীৰ কৰা নাই
নে? ১১ তুমি মোক মাংস আৰু ছালেৰে ঢাকিলা; হাড় আৰু সিৰেৰে
মোক বলা। ১২ তুমি অনুগ্ৰহ কৰি মোক জীৱন দান কৰিলা; তোমাৰ
তত্ত্বধাৰণত মোৰ আত্মা প্ৰতিপালিত হৈছে। ১৩ তথাপি মই জানিছোঁ,
তোমাৰ এই ভাব আছিল- তুমি এই সকলোকে নিজৰ মনত গোপনে
ৰাখিছিলা যে, ১৪ মই পাপ কৰিলে তুমি মোক চিনি ৰাখিবা, আৰু
মোৰ অপৰাধ ক্ষমা নকৰিবা; ১৫ মই দুষ্ট হলে, মোক সন্তাপ হ’ব,
ধাৰ্মিক হলেও মই অপৰাধেৰে পৰিপূৰ্ণ হৈ, নিজৰ ক্লেশ দেখি মূৰ
তুলিব নোৱাৰিম; ১৬ মূৰ তুলিলে, তুমি সিংহৰ নিচিনাকৈ মোক মৃগয়া
কৰিবা, আৰু মোৰ অহিতে বাৰে বাৰে বিস্ময়জনক পৰাক্ৰম দেখুৱাবা;
১৭ তুমি মোৰ অহিতে নতুন নতুন সাক্ষী আনিবা, মোৰ অহিতে তোমাৰ
ক্ৰোধ বঢ়াবা, আৰু মোৰ লগত নতুন নতুন সৈন্য লৈ যুদ্ধ কৰিব। ১৮
তেন্তে কিয় তুমি মোক গৰ্ভৰ পৰা বাহিৰ কৰিলা? নকৰা হলে মই
মৰিলেহেঁতেন আৰু কোনো চকুৱে মোক নেদেখিলেহেঁতেন। ১৯ মই
নোহোৱাৰ নিচিনা হলোঁহেঁতেন, আৰু গৰ্ভৰ পৰাই মোক মৈদামলৈ

নিলেহেঁতেন। ২০ মোৰ দিন কেইটা তাকৰ নহয়নে? তেন্তে ক্ষান্ত
হোৱা। মই অকলশৰীয়া, অলপমান শান্তনা পাবলৈ মোক এৰি দিয়া;
২১ য'ৰ পৰা মই উলটি নাহিম, সেয়া অন্ধকাৰ আৰু মৃত্যুচ্ছায়াৰ দেশ,
২২ সেইদেশ মাজনিশাৰ নিচিনা ঘোৰ অন্ধকাৰ, সেই দেশ মৃত্যুচ্ছায়াৰ
দেশ, তাত একো সুশৃংখল ৰূপত নাই; তাত পোহৰেই অন্ধকাৰৰ
নিচিনা'।"

**১১** তাতে নামাথীয়া চোফৰে উত্তৰ দিলে আৰু ক'লে, ২ ইমান অধিক
কথাৰ নো উত্তৰ দিয়া নাযায় নে? বহু কথা কোৱা মানুহক জানো
নিৰ্দ্দোষী কৰা হ'ব? ৩ তোমাৰ বলকনিয়ে জানো মানুহক নিমাত
কৰিব? তুমি নিন্দা কৰিলে, কোনেও তোমাক লাজ নিদিব নে? ৪
কিয়নো তুমি কৈছা, "মোৰ মত ঠিক, আৰু মই তোমাৰ দৃষ্টিতে শুচি।"
৫ কিন্তু অস, ঈশ্বৰে অনুগ্ৰহ কৰি কথা কোৱা হলে, আৰু তোমাৰ
বিৰুদ্ধে নিজ মুখ মেলিলে; ৬ জ্ঞানৰ নিগূঢ় বিষয় প্ৰকাশ কৰিলে,
ঈশ্বৰৰ বুদ্ধি-কৌশল যে অনেক প্ৰকাৰ, সেই বিষয়ে তেওঁ তোমাক
জনোৱা হলে, কেনে ভাল আছিল! এই হেতুকে তুমি জানিবা যে, ঈশ্বৰে
তোমাৰ অপৰাধৰ অধিক ভাগ এৰি পেলাইছে। ৭ তুমি অনুসন্ধান
কৰি ঈশ্বৰৰ তত্ত্ব পাব পাৰা নে? তুমি সৰ্ব্বশক্তিমান জনাৰ সম্পূৰ্ণ তত্ত্ব
লাভ কৰিব পাৰা নে? ৮ সেয়ে আকশ-মণ্ডলৰ নিচিনা ওখ; তুমি কি
কৰিব পাৰা? সেয়ে চিয়োলতকৈ অগাধ; তুমি কি জানিব পাৰা? **(Sheol
h7585)** ৯ তাৰ পৰিমাণ পৃথিবীতকৈয়ো দীঘল, আৰু সমুদ্ৰতকৈয়ো
বহল। ১০ তেওঁ যদি পোনে পোনে আহে আৰু কোনোবা এজনক
যদি আটক কৰি থয়, আৰু বিচাৰ-সভা পাতে, তেন্তে কোনে তেওঁক
নিবাৰণ কৰিব পাৰে? ১১ কিয়নো তেওঁ দুষ্ট লোকক জানে, আৰু
মনযোগ নিদিলেও তেওঁ অধৰ্ম দেখে। ১২ কিন্তু অসাৰ মানুহ জ্ঞনশূন্য,
এনে কি, মনুষ্য জন্মৰে পৰা বনৰীয়া গাধৰ পোৱালিস্বৰূপ। ১৩ তুমি
যদি নিজৰ মন শুদ্ধ কৰা, আৰু তেওঁৰ ফাললৈ হাত মেলা, ১৪ কিন্তু
হাতত অধৰ্ম থাকিলে, তাক দূৰ কৰা, আৰু দুষ্টতাক নিজ তম্বুত থাকিব
নিদিবা; ১৫ তেন্তে তুমি অৱশ্যে নিষ্কলঙ্ক মুখ তুলিব পাৰিবা; এনে কি,
সুস্থিৰে থাকিবা, ভয় নাপাবা, ১৬ কিয়নো তোমাৰ দুখ তুমি পাহৰি

যাবা, ইয়াক বৈ গৈ নাইকিয়া হোৱা পানীৰ নিচিনা মনতে লাগিব। ১৭
তোমাৰ জীৱন দুপৰীয়াতকৈ নিৰ্ম্মল হ'ব, আৰু আন্ধাৰ হলেও, সেয়ে
প্ৰভাতৰ নিচিনা হ'ব। ১৮ আশা থকা কাৰণে তুমি সাহিয়াল হবা;
আৰু চাৰিওফালে বুজ-বিচাৰ লৈ নিশ্চিন্তমনে বিশ্ৰাম কৰিবা। ১৯ তুমি
শোওঁতে কোনেও তোমাক ভয় নেদেখুৱাব; বৰং অনেকে তোমাৰ
আগত নিবেদন কৰিব। ২০ কিন্তু দুষ্টবোৰৰ চকু নিস্তেজ হ'ব, সিহঁতৰ
আশ্ৰয় নষ্ট হব, আৰু প্ৰাণত্যাগেই সিহঁতৰ আশা হ'ব।

**১২** পাছত ইয়োবে পুনৰায় উত্তৰ দিলে আৰু ক'লে, ২ "হয় হয়,
তোমালোকহে মানুহ; মৰিলে জ্ঞান তোমালোকৰ লগতে যাব। ৩
কিন্তু তোমালোকৰ নিচিনা মোৰো বুদ্ধি আছে; তোমালোকতকৈ মই
নিকৃষ্ট নহওঁ; এনেবোৰ কথা কোনে নাজানে? ৪ ঈশ্বৰৰ আগত প্ৰাৰ্থনা
কৰি উত্তৰ পোৱা যি মই, ময়েই বন্ধুৰ হাঁহিয়াতৰ পাত্ৰ হৈছোঁ; ধাৰ্মিক
সিদ্ধ পুৰুষ জন হাঁহিয়াতৰ পাত্ৰ হৈছে। ৫ নিৰাপদে থকা লোকৰ
মনত বিপদ অপমানৰ বিষয়; পিছল খাই পৰিব লগীয়াবোৰলৈ সেয়ে
বাট চায় থাকে। ৬ ডকাইতবোৰৰ তম্বু কুশলে থাকে; যাৰ হাতত
ঈশ্বৰে অধিক ধন সম্পত্তি শোধাই দিছে, ঈশ্বৰৰ বিৰক্ত জন্মোৱা
এনেবোৰ লোক নিৰ্ব্বিঘ্নে থাকে। ৭ কিন্তু পশুবোৰক সোধাচোন,
সেইবোৰে তোমাক কি দিব; আৰু আকাশৰ পক্ষীবোৰক সোধা,
সেইবোৰেও তোমাক কৈ দিব। ৮ নাইবা পৃথিবীকো সোধাচোন,
সিও তোমাক শিক্ষা দিব; আৰু সমুদ্ৰৰ মাছবোৰেও তোমাক কব।
৯ পশুবোৰে এইবোৰ বিষয় নাজানে যে, যিহোৱাৰ হাতে এইবোৰ
কৰিছে - সিহঁতক জীৱন দিছে - ১০ যিহোৱাৰ হাততেই সকলো
জীৱজন্তুৰ প্ৰাণ, আৰু সমুদায় মনুষ্য জাতিৰ জীৱাত্মা আছে। ১১
জিভাই যেনেকৈ আহাৰৰ আস্বাদ পায়, তেনেকৈ কাণে জানো কথাৰ
পৰীক্ষা নকৰে? ১২ বৃদ্ধ লোকসকলৰ সৈতে জ্ঞান আছে, দীৰ্ঘ আয়ুসত
বুদ্ধি থাকে। ১৩ জ্ঞান আৰু পৰাক্ৰম তেওঁৰ তাতহে আছে; পৰামৰ্শ
আৰু বুদ্ধি তেওঁৰহে। ১৪ চোৱা, তেওঁ ভাঙি পেলালে পুনৰায় তাক সজা
নাজায়; তেওঁ মানুহক বন্ধ কৰিলে তাক মুকলি কৰা নাযায়। ১৫ চোৱা,
তেওঁ জল সমূহক আটক কৰে, তাতে সেইবোৰ শুকাই যায়; আকৌ

সেইবোৰক উলিয়াই দিয়ে, তাতে সেইবোৰে পৃথিবীখন লণ্ডভণ্ড কৰে।
১৬ পৰাক্ৰম আৰু বুদ্ধি-কৌশল তেওঁৰ তাতহে; প্ৰবঞ্চক আৰু প্ৰবঞ্চিত
লোক সেই দুয়ো তেওঁৰহে। ১৭ তেওঁ মন্ত্ৰী সকলক সৰ্ব্বস্বহীন কৰি লৈ
যায়, আৰু বিচাৰকৰ্ত্তা সকলক হতবুদ্ধি কৰে। ১৮ তেওঁ ৰজা সকলৰ
ক্ষমতা গুচায়, আৰু তেওঁলোকৰ ককালত ডোল লগায়। ১৯ তেওঁ
পুৰোহিত সকলক সৰ্ব্বস্বহীন কৰি লৈ যায়, আৰু পৰাক্ৰমী সকলক
বিনষ্ট কৰে। ২০ তেওঁ বিশ্বাসী সকলৰ বাক-শক্তি দূৰ কৰে, আৰু
বৃদ্ধ সকলৰ বিবেচনা-শক্তি কাঢ়ি নিয়ে। ২১ তেওঁ ডাঙৰীয়া সকলৰ
ওপৰত অপমান বৰষায়, আৰু বলৱন্ত সকলৰ ককালৰ বান্ধোন ঢিলা
কৰে। ২২ তেওঁ আন্ধৰৰ পৰা নিগূঢ় বিষয়বোৰ প্ৰকাশ কৰে, আৰু
মৃত্যুচ্ছায়াকো পোহৰলৈ আনে। ২৩ তেওঁ জাতি সমূহক উন্নতিপ্ৰাপ্ত
কৰে, আৰু বিনষ্টও কৰে; তেওঁ জাতি সমূহক বিস্তাৰিত কৰে, আৰু
লৈয়ো যায়। ২৪ তেওঁ পৃথিবীৰ লোক-সমাজৰ মুখ্যসকলৰ বুদ্ধি দূৰ
কৰে, আৰু পথ নোহোৱা অৰণ্যৰ মাজেদি তেওঁলোকক ভ্ৰমণ কৰায়।
২৫ তেওঁলোকে পোহৰ নাপাই আন্ধাৰৰ মাজত খপিয়াই ফুৰে; তেওঁ
তেওঁলোকক মতলীয়াৰ নিচিনাকৈ ঢলংপলং কৰি ফুৰায়।

**১৩** চোৱা, মোৰ চকুৱে এই সকলোকে দেখিলে, আৰু নিজ কাণেৰে
শুনি তাক বুজিলোঁ। ২ তোমালোকে যি জানা, ময়ো তাক জানো; মই
তোমালোকতকৈ নিকৃষ্ট নহওঁ। ৩ কিয়নো মই সৰ্ব্বশক্তিমান জনাকহে
কথা কম, আৰু মই ঈশ্বৰৰ লগতহে বাদ-বিচাৰ কৰিব খুজিছোঁ। ৪ কিন্তু
তোমালোক হলে মিছা কথা সাজোঁতা, আৰু তোমালোক সকলোৱেই
অকামিলা বেজ। ৫ অস, তোমালোক একেবাৰে নিমাত হৈ থকা
হ'লে, কেনে ভাল আছিল! সেয়ে তোমালোকৰ পক্ষে জ্ঞানৰ কাৰ্য বুলি
গণিত হলহেঁতেন। ৬ এতিয়া মোৰ তিৰস্কাৰ শুনা, আৰু মোৰ মুখৰ
অনুযোগ-বাক্যলৈ কাণ পাতা। ৭ তোমালোকে ঈশ্বৰৰ পক্ষ হৈ অন্যায়ৰ
কথা ক'বা নে? আৰু তেওঁৰ পক্ষ হৈ প্ৰবঞ্চনা-বাক্য বুলিবা নে? ৮
তোমালোকে তেওঁৰেই পক্ষপাত কৰিবা নে? তোমালোকে ঈশ্বৰেই
পক্ষ হৈ প্ৰতিবাদ কৰিবা নে? ৯ তেওঁ বিচাৰি বিচাৰি তোমালোকৰ
তত্ত্ব উলিয়ালে তোমালোকৰ মঙ্গল হ'ব নে? বা মানুহক ফাঁকি দিয়াৰ

দৰে জানো তোমালোকে তেওঁক ফাঁকি দিব পাৰিবা? ১০ তোমালোকে
যদি গুপুতে পক্ষপাতিত্ব কৰা, তেন্তে তেওঁ অৱশ্যে তোমালোকক দণ্ড
দিব। ১১ তেওঁৰ প্ৰতাপে তোমালোকক ত্ৰাসযুক্ত নকৰিব নে? তেওঁৰ
ভয়ানকতাত জানো তোমালোকে ভয় নকৰিবা? ১২ তোমালোকৰ
সোঁৱৰণীয় বাক্য ভস্মস্বৰূপ দৃষ্টান্ত মাথোন, তোমালোকৰ প্ৰতিৰোধ
ধুলিৰ গড়স্বৰূপ। ১৩ তোমালোকে মনে মনে থাকা, মোকেই কথা
ক'বলৈ এৰি দিয়া; মোলৈ যি ঘটে, ঘটক। ১৪ মই কিয় মোৰ মাংস
দাঁতত লৈ থাকিম? মোৰ প্ৰাণ মোৰ হাততেই ৰাখিম। ১৫ চোৱা,
তেওঁ মোক বধ কৰিব, মই তেওঁলৈ অপেক্ষা কৰি থাকিম; তথাপি
তেওঁৰ আগত মোৰ আচৰণৰ নিৰ্দ্দোষীতা প্ৰমাণ কৰিম। ১৬ এয়ে
মোৰ মুক্তিৰ কাৰণ হ'ব, মই এজন অধাৰ্মিক লোকৰ দৰে তেওঁৰ
আগত থিয় হ'ব নোৱাৰিম। ১৭ মনোযোগ কৰি মোৰ কথা শুনা; মোৰ
বাক্য তোমালোকৰ কাণত সোমাওক। ১৮ চোৱা, মোৰ গোচৰ মই
ঠিকঠাক কৰি থৈছোঁ; মই যে নিৰ্দ্দোষী হওঁ, তাক মই জানো। ১৯ মোৰ
লগত প্ৰতিবাদ কৰিব পৰা কোন আছে? যদি আছে, তেন্তে মই নিমাত
হৈ প্ৰাণত্যাগ কৰিম। ২০ হে ঈশ্বৰ, তুমি কেৱল দুটা কাৰ্য মোলৈ
কৰিবা; তাতে মই তোমাৰ সন্মুখৰ পৰা নিজকে নুলুকুৱাম। ২১ মোৰ
ওপৰৰ পৰা তোমাৰ অত্যাচাৰী হাত আঁতৰাই নিবা, আৰু তোমাৰ
ভয়ানকতাৰে মোক ভয় নুখুৱাবা। ২২ তেতিয়া তুমি মোক মাতিবা, মই
উত্তৰ দিম, বা মই কম, তুমি উত্তৰ দিবা। ২৩ মোৰ অপৰাধ আৰু পাপ
কিমান? মোৰ অধৰ্ম আৰু পাপ মোক জনোৱা। ২৪ কিয় তোমাৰ মুখ
মোৰ পৰা লুকুৱাইছা, আৰু মোক তোমাৰ শত্ৰু যেন জ্ঞান কৰিছা? ২৫
উৰুৱাই নিয়া পাতক তুমি জানো তাড়ণা কৰিবা? আৰু শুকান ঘুলাক
জানো খেদি যাবা? ২৬ কিয়নো তুমি মোৰ বিৰুদ্ধে তিতা লগা কথা
লিখি থৈছা, আৰু মোক যৌবন-কালৰ অপৰাধৰ উত্তৰাধিকৰী কৰিছা।
২৭ তুমি মোৰ ভৰি কুন্দত বান্ধি ৰাখিছা, মোৰ সকলো পথৰ চিন
ৰাখিছা, আৰু মোৰ ভৰিৰ চাৰিওফালে সীমাৰ আঁক টানিছা, ২৮ সেয়ে
মই ক্ষয়নীয় পচা বস্তুৰ নিচিনা, আৰু পোকে খোৱা বস্ত্ৰৰ সদৃশ হলোঁ।

১৪ তিৰোতাৰ পৰা জন্ম পোৱা যি মনুষ্য, তেওঁ অলপদিনীয়া আৰু
দুখেৰে পৰিপূৰ্ণ। ২ তেওঁ ফুলৰ দৰে ফুলে, আৰু জঁয় পৰে; তেওঁ ছাঁৰ
দৰে অলপ সময়ৰ বাবে থাকে আৰু নাইকিয়া হয়, স্থিৰ হৈ নাথাকে;
৩ এনে লোকলৈ তুমি চকু মেলি চাইছা? আৰু মোক তোমাৰ লগত
বিচাৰস্থানলৈ লৈ গৈছা? ৪ অশুচিৰ পৰা শুচি কোনে উলিয়াব পাৰে?
কোনেও নোৱাৰে। ৫ তেওঁৰ আয়ুসৰ দিন নিশ্চয় কৰা হ'ল, তেওঁৰ
মাহৰ সংখ্যা তুমি জানি আছা, আৰু তেওঁ পাৰ হ'ব নোৱাৰাকৈ তুমি
তেওঁৰ সীমা স্থাপন কৰিলা; ৬ ভাড়াতীয়লোকৰ দৰে তেওঁ নিজৰ দিন
পূৰ্ণ নকৰালৈকে, তেওঁ জিৰণী পাবলৈ তুমি তেওঁৰ পৰা চকু আঁতৰাই
নিয়া। ৭ কিয়নো গছৰ আশা আছে, তাক কাটিলেও সি আকৌ পোখা
মেলে, আৰু তাৰ কোমল গজালিৰ অভাৱ নহয়। ৮ যদি মাটিত তাৰ
শিপা বুঢ়া হয়, আৰু ভুমিত তাৰ মূঢ়াতো মৰে, ৯ তথাপি পানীৰ গোন্ধ
পালে তাৰ গজালি ওলায়, আৰু নতুনকৈ ৰোৱা গছপুলিৰ দৰে ডাল-
পাত মেলে। ১০ কিন্তু মানুহ মৰে আৰু ক্ষয় পায়; মনুষ্যই প্ৰাণত্যাগ
কৰিলে, পুনৰ ক'ত থাকিব? ১১ যেনেকৈ জলাহৰ পানী ঢুকাই যায়,
আৰু নৈৰ পানী শুকাই সম্পূৰ্ণৰূপে নাইকিয়া হয়, ১২ তেনেকৈ মানুহ
মৰিলে পুনৰ নুঠে, আকাশ-মণ্ডল লুপ্ত নহয়মানে তেওঁলোকে সাৰ
নাপায়, আৰু তেওঁলোকক নিদ্ৰাৰ পৰা জগোৱা নহয়। ১৩ অস, তুমি
মোক চিয়োলত লুকুৱাই থোৱা হ'লে, তোমাৰ ক্ৰোধ মাৰ নাযোৱালৈকে
মোক গুপ্তকৈ ৰখা হলে, তুমি মোৰ কাৰণে এটা সময় নিৰূপণ কৰি,
মোক সোঁৱৰণ কৰা হ'লে, কেনে ভাল আছিল! (Sheol h7585) ১৪ যদি
কোনো মানুহ মৰে, তেনেহলে তেওঁ কি পুনৰায় জীব নে? যদি জীয়ে,
তেনেহলে মোৰ মুক্তিৰ দিন নহালৈকে, মই মোৰ ক্লান্তিৰ সময়খিনি
বাট চায় থাকিম। ১৫ তেতিয়া তুমি মাতিবা, আৰু মই উত্তৰ দিম;
তেতিয়া তুমি তোমাৰ হাতে কৰা কৰ্মলৈ হাবিয়াহ কৰিবা। ১৬ কিন্তু
এতিয়া তুমি মোৰ ভৰিৰ খোজকো হিচাব কৰিছা; তুমি মোৰ পাপলৈ
জানো চকু দি থকা নাই? ১৭ মোৰ অধৰ্ম থৈলাত বন্ধ কৰি মোহৰ
মৰা হৈছে, আৰু তুমি মোৰ অপৰাধ মোনাত ভৰাই বান্ধি থৈছা। ১৮
কিন্তু পৰ্ব্বতো পৰি যায় আৰু নাইকিয়া হয়; আনকি বৃহৎ শিলকো নিজ

ঠাইৰ পৰা আতৰোৱা হয়। ১৯ পানীয়ে শিলবোৰকো ক্ষয় নিয়ায়, তাৰ
ধল উঠি আহি পৃথিবীৰ মাটি খহাই লৈ যায়; সেইদৰে তুমি মানুহৰ
আশাকো ভাঙি দিয়া। ২০ তুমি তেওঁক একেবাৰে মৰমান্তিক আঘাত
কৰাত, তেওঁ লোকান্তৰলৈ যায়। তুমি তেওঁৰ মুখ বিকৃত কৰি তেওঁক
পঠাই দিয়া। ২১ তেওঁৰ পুতেকবোৰ মৰ্য্যদাৱন্ত হলেও, তেওঁ সেই
বিষয়ে নাজানে; আনকি সিহঁতৰ অৱস্থা হীন হলেও, তেওঁ তাৰ বিষয়ে
গম নাপায়। ২২ কিন্তু তেওঁৰ নিজ শৰীৰে বেদনা পায়, আৰু তেওঁৰ
অন্তৰত থকা হৃদয়ে শোক কৰে।”

**১৫** তেতিয়া তৈমনীয়া ইলীফজে পুনৰ উত্তৰ দি ক’লে, ২ জ্ঞানৱানে
জানো অনৰ্থক জ্ঞানেৰে উত্তৰ দিয়ে, বা পূবৰ বায়ুৰে জানো উদৰ পূৰ
কৰে? ৩ সি জানো নিস্ফল কথাৰে যুক্তি দেখুৱায়, বা অনুপকাৰী
বাক্যৰে বাদানুবাদ কৰে? তুমি হ’লে এই সকলোকে কৰিছা, ৪ এনে
কি, তুমি ঈশ্বৰ ভয়কো ত্যাগ কৰিছা, আৰু ঈশ্বৰৰ সাক্ষাতে ভক্তিও
কম কৰিছা। ৫ কিয়নো তোমাৰ মুখেই তোমাৰ অপৰাধ প্ৰকাশ
কৰিছে, আৰু তুমি ধূৰ্তবোৰৰ জিভা মনোনীত কৰিছা। ৬ তোমাৰ
মুখেই তোমাক দোষী কৰিছে, মই কৰা নাই; তোমাৰ ওঁঠেই তোমাৰ
অহিতে সাক্ষ্য দিছে। ৭ মনুষ্য জাতিৰ মাজত তুমি প্ৰথমে জন্ম পোৱা
নে? আৰু পৰ্ব্বতবোৰৰ পূৰ্বেই জানো তোমাৰ জন্ম হৈছিল? ৮ তুমি
ঈশ্বৰৰ সভাত মন্ত্ৰণা শুনিছিলা নে? আৰু তোমাৰ নিজৰ কাৰণে জ্ঞান
ৰাখি থৈছা নে? ৯ তুমি নো আমি নজনা কথা কি জানা? তুমিনো
আমি নুবুজা কথা কি বুজিছা? ১০ আমাৰ মাজত বেছি বয়সীয়া আৰু
পকা চুলিয়াও আছে; তেওঁলোক তোমাৰ পিতৃতকৈয়ো অতি বৃদ্ধ।
১১ ঈশ্বৰৰ শান্তনা-বাক্যবোৰ তোমাৰ জ্ঞানত অতি ক্ষুদ্ৰ নে? আৰু
তোমাৰ লগত কৰা মৃদু আলাপ ক্ষুদ্ৰ জ্ঞান কৰিছা নে? ১২ তুমি যে
ঈশ্বৰৰ বিৰুদ্ধে জ্বলি উঠিছা, আৰু এনে কথা মুখৰ পৰা উলিয়াইছা, ১৩
তোমাৰ মনক নো কিহে এনেকৈ বিপথলৈ নিয়ে? আৰু তোমাৰ চকু
নো কিয় ইমানকৈ তিৰবিৰাইছে? ১৪ মৰ্ত্ত্য নো কি যে, তেওঁ শুচি হ’ব
পাৰে? তিৰোতাৰ পৰা জন্মা মনুষ্যই বা কি, তেওঁ যে ধাৰ্মিক হ’ব
পাৰে? ১৫ চোৱা, তেওঁ নিজৰ পবিত্ৰবিলাকতো বিশ্বাস নকৰে, এনে

কি, আকাশ-মণ্ডল তেওঁৰ দৃষ্টিত নিৰ্ম্মল নহয়। ১৬ তেনেহলে কেনেকৈ
ঘৃণনীয় আৰু দুৰ্নীতিগ্ৰস্ত, জলৰ দৰে অপৰাধ পান কৰোঁতাই কিমান
কম পৰিমানে শুচি হ'ব পাৰে। ১৭ মই তোমাক দেখিছোঁ, মোৰ কথা
শুনা; মই যি দেখিলোঁ, সেয়া প্ৰকাশ কৰিলোঁ; ১৮ যিসকলৰ হাতত
দেশ শোধাই দিয়া হৈছিল, আৰু যিসকলৰ মাজত কোনো বিদেশী ঘূৰি
ফুৰা নাছিল, ১৯ জ্ঞানী সকলে তেওঁলোকৰ এনেকুৱা পিতৃসকলৰ
পৰা শুনি, গুপুতে নাৰাখি এই কথা কয়, ২০ দুষ্টই নিজৰ জীৱনৰ
সকলো দিনত ক্লেশ পায়, অত্যাচাৰী জনে নিজৰ নিৰূপিত বছৰ কেইটা
অসুখেৰে কটায়। ২১ ভয়ৰ শব্দ তাৰ কাণত থাকে; সম্পদৰ কালতো
বিনাশকে তাক আক্ৰমণ কৰে। ২২ সি কেতিয়াও নাভাবে, সি যে
আন্ধাৰৰ পৰা উলটি আহিব, তৰোৱালে তালৈ বাট চাই আছে। ২৩
সি আহাৰৰ নিমিত্তে ভ্ৰমন কৰি কয়, 'ক'ত আছে?' সি জানে যে,
আন্ধৰৰ দিন তাৰ ওচৰত উপস্থিত আছে। ২৪ ক্লেশ আৰু মনৰ তাপে
তাক ভয় দেখুৱায়; যুদ্ধৰ কাৰণে সাজু হোৱা ৰজাৰ দৰে, সেই দুটাই
তাক পৰাজয় কৰে। ২৫ কাৰণ সি ঈশ্বৰৰ বিৰুদ্ধে হাত মেলিলে,
আৰু সৰ্ব্বশক্তিমান জনাৰ বিৰুদ্ধে গৰ্ব্ব–আচৰণ কৰিলে। ২৬ এইদৰে
পাপীলোক ঈশ্বৰৰ বিৰুদ্ধে অনমনীয় হয়, সি ঢালৰ ডাঠ ভাগ দেখুৱাই
তেওঁৰ বিৰুদ্ধে লৰ মাৰে। ২৭ এইটো সত্য যে, সি চৰ্বিৰে নিজৰ মুখ
নোদোকা কৰিলে, আৰু নিজৰ তপিনা তৰপে তৰপে চৰ্বিযুক্ত কৰিলে;
২৮ আৰু সি জনশূণ্য নগৰত বাস কৰিলে; য'ত কোনো মানুহে বাস
নকৰে, শিলৰ দ'ম হবলগীয়া এনে ঘৰত বসতি কৰিলে। ২৯ সি ধনী
নহব, আৰু তাৰ সম্পত্তি নাথাকিব; সিহঁতৰ শস্য ফলৰ ভৰত মাটিলৈ
দোঁ নাখাব। ৩০ সি আন্ধাৰৰ পৰা সাৰিব নোৱাৰিব; অগ্নি-শিখা ই তাৰ
ডালবোৰ শুকুৱাব, আৰু সি তেওঁৰ মুখৰ ফুঁতে উড়ি যাব। ৩১ সি ভ্ৰান্ত
হৈ অসাৰতাত বিশ্বাস নকৰক; কিয়নো অসাৰতাই তাৰ বেচ হ'ব। ৩২
তাৰ দিন নৌ হওঁতেই সেয়ে তালৈ সিদ্ধ হ'ব, আৰু তাৰ খেজুৰৰ পাত
কেঁচাই নাথাকিব। ৩৩ সি দ্ৰাক্ষালতাৰ নিচিনাকৈ নিজৰ আপইতা গুটি
সৰাব, আৰু জিতগছৰ দৰে নিজৰ ফুল সৰাই পেলাব। ৩৪ কিয়নো
অধৰ্মিবোৰৰ সমাজ বন্ধ্যা হ'ব, আৰু ভেঁটি খুৱাবোৰৰ তম্বু অগ্নিয়ে গ্ৰাস

কৰিব। ৩৫ সিহঁতে অনিষ্টক গৰ্ভধাৰণ কৰি ক্লেশ প্ৰসৱ কৰে; সিহঁতৰ
পেটে প্ৰতাৰণা উৎপন্ন কৰে।”

১৬ তেতিয়া ইয়োবে পুনৰায় উত্তৰ কৰি ক’লে, ২ মই এইৰূপ
অনেক কথা শুনিলো; তোমালোক সকলোৱেই দুখদায়ক শান্ত্বনাকাৰী।
৩ বায়ুতুল্য কথাৰ জানো কেতিয়াবা শেষ হয়? বা উত্তৰ দিবলৈ
তোমাক জানো উদগাইছে? ৪ ময়ো তোমালোকৰ দৰে উত্তৰ দিব
পাৰোঁ; মোৰ প্ৰাণৰ সলনি যদি তোমালোকৰ প্ৰাণ হলেহেঁতেন,
তেনেহলে মইও তোমালোকৰ অহিতে কথা সাজিব পাৰিলোহেঁতেন,
আৰু তোমালোকক বিদ্ৰূপ কৰি মূৰ জোকাৰিব পাৰিলোহেঁতেন। ৫
অস্ মই মুখেৰেহে তোমালোকক সবল কৰিলোহেঁতেন, আৰু মোৰ
ওঠৰ শান্ত্বনাত তোমালোকৰ দুখৰ উপশমহে হলহেঁতেন। ৬ মই কথা
কলেও মোৰ ক্লেশৰ উপশম নহয়, আৰু নিমাতে থাকিলে কি মোৰ দুখ
গুচিব? ৭ কিন্তু তেওঁ এতিয়া মোক ক্লান্ত কৰিলে; তুমি মোৰ গোটেই
পৰিয়াল উচ্ছন্ন কৰিলা। ৮ তুমি মোৰ শৰীৰ শীৰ্ণ কৰিলা, সেয়ে মোৰ
বিৰুদ্ধে সাক্ষী হৈছে; মোৰ শৰীৰৰ দীনতাই মোৰ বিৰুদ্ধে উঠিছে, আৰু
এয়ে মোৰ অহিতে উঠি মোৰ সাক্ষাতে প্ৰমাণ দিছে। ৯ তেওঁ ক্ৰোধত
মোক বিদাৰিলে, আৰু তাড়নাও কৰিলে; তেওঁ মোলৈ দাঁত কৰচিলে;
মোক চকুৰপানীয়ে পৃথক কৰে, মোৰ শত্ৰুৱে মোলৈ দৃঢ়ভাবে চাই
থাকে; ১০ লোকে মোৰ বিৰুদ্ধে মুখ মেলে; সিহঁতে ধিক্কাৰ দি মোৰ
গালত চৰ মাৰে; সিহঁতে মোৰ অহিতে গোট খায়। ১১ ঈশ্বৰে মোক
অধৰ্মিৰ হাতত সমৰ্পণ কৰিলে, আৰু দুষ্টবোৰৰ হাতত পেলাই দিলে।
১২ মই শান্তিৰে আছিলোঁ আৰু তেওঁ মোক ভাঙি পৃথক কৰিলে, এনে
কি, মোৰ ডিঙিত ধৰি মোক থেকেচিলে; আৰু মোক নিজৰ কাঁড় মৰাৰ
নিচান পাতিলে। ১৩ তেওঁৰ ধনুৰ্দ্ধৰবোৰে মোক আগুৰি ধৰে; ঈশ্বৰে
মোৰ বৃক্ক বিদাৰিলে আৰু মোক অতিৰিক্ত নকৰিলে, তেওঁ মোৰ পিত্ত
মাটিত ঢালি দিলে। ১৪ তেওঁ মোৰ প্ৰাচীৰৰ যোগেদি বাৰে বাৰে ভাঙে;
তেওঁ বীৰৰ নিচিনাকৈ মোৰ বিৰুদ্ধে লৰি আহে। ১৫ মই ছালৰ ওপৰত
চট কাপোৰ সিয়াই ললোঁ, আৰু ধুলিৰে মোৰ শিং লেটিপেটি কৰিলোঁ।
১৬ যদিও মোৰ হাতত অত্যাচাৰ নাই, আৰু মোৰ প্ৰাৰ্থনাও পবিত্ৰ, ১৭

তথাপি কান্দোতে কান্দোতে মোৰ মুখ বিকৃত হ'ল, আৰু মৃত্যুচ্ছায়া
মোৰ চকুৰ পিৰ্ঠিৰ ওপৰত আছে। ১৮ হে পৃথিৱী, তুমি মোৰ তেজ
নাঢাকিবা, আৰু মোৰ কাতৰোক্তিয়ে জিৰাবলৈ ঠাই নাপাওক। ১৯
চোৱা, এতিয়াও মোৰ সাক্ষী স্বৰ্গত আছে, আৰু মোৰ পক্ষে প্ৰমাণ
দিওঁতা জনা উচ্চস্থানত আছে। ২০ মোৰ চকুৱে যেতিয়া ঈশ্বৰৰ কাৰণে
অশ্ৰু বিসৰ্জন কৰে, তেতিয়া মোৰ বন্ধুবোৰেই মোক নিন্দা কৰে; ২১
যেনেদৰে এজন মানুহে নিজ চুবুৰীয়াৰ সৈতে কৰে, তেনেদৰে মই
কওঁ সাক্ষ্যৰ বাবে এই মানুহে ঈশ্বৰৰ সৈতে তৰ্ক কৰে! ২২ কিয়নো
মাত্ৰ কেইবছৰৰ ভিতৰতে মই সেই ঠাইলৈ যাম, যি ঠাইৰ পৰা মই
পুনৰ উভতি আহিব নোৱাৰিম।

**১৭** মোৰ উশাহ বিকৃত হৈছে, মোৰ দিনৰ অন্ত পৰিছে; মোলৈ মৈদাম
যুগুত আছে। ২ নিশ্চয়ে ঠাট্টা কৰোঁতাবোৰ মোৰ ওচৰত আছে, আৰু
সিহঁতে দিয়া বিৰক্তিবোৰ মোৰ চকুৰ আগত আছে। ৩ বিনয় কৰোঁ,
তুমি মোৰ নিৰ্দ্দোষীতা প্ৰকাশ কৰাৰ এটা চিন থোৱা; নিজৰ আগত
নিজেই মোৰ জামিন হোৱা; আন কোনেও মোৰ জামিন হ'বলৈ স্বীকাৰ
কৰিব? ৪ কিয়নো তুমি এওঁলোকৰ চিত্ত জ্ঞানৰ পৰা আঁৰ কৰিছা; এই
হেতুকে তুমি এওঁলোকক মোক জয় কৰিবলৈ নিদিবা। ৫ যিকোনোৱে
নিজ বন্ধুক লুটদ্ৰব্য স্বৰূপে সমৰ্পণ কৰে, তেনে বন্ধুৰ সন্তানবোৰৰ চকু
অন্ধ হ'ব। ৬ তেওঁ মোক লোকসকলৰ আগত দৃষ্টান্ত কৰিলে; যাৰ
মুখত লোকে থু পেলায়, মই তেনে মানুহ হ'লো। ৭ মনৰ বেজাৰত
মোৰ চকু নিস্তেজ হ'ল, আৰু মোৰ সকলো অঙ্গ-প্ৰত্যঙ্গ ছাঁৰ তুল্য
হ'ল। ৮ ইয়াতে সৰল আচৰণ কৰোঁতাবোৰে আচৰিত মানিব, আৰু
অধৰ্মিৰ বিৰুদ্ধে নিৰ্দ্দোষী জঁকি উঠিব। ৯ তথাপি ধাৰ্মিকে নিজ পথত
চলি থাকিব; যাৰ হাত শুচি, তাৰ বল ক্ৰমে ক্ৰমে বাঢ়ি থাকিব। ১০
কিন্তু আহাঁ, তোমালোক সকলোৱে পুনৰায় আৰম্ভ কৰা; আৰু মই
তোমালোকৰ মাজত কাকো জ্ঞানী নাপাওঁ। ১১ মোৰ দিন কেইটা
গ'ল, মোৰ অভিপ্ৰায় শেষ হৈছে, এনে কি মোৰ হৃদয়ৰ শুভেচ্ছা
জনোৱা হ'ল। ১২ সেই মানুহবোৰ বিদ্ৰূপকাৰী, সিহঁতে ৰাতিক দিনলৈ
ৰূপান্তৰিত কৰে, পোহৰ আহিলে সিহঁতে কয়, অন্ধকাৰ ওচৰ চাপি

আহিছে। ১৩ যদি চিয়োলেই মোৰ ঘৰ হ'ব বুলি মই অপেক্ষা কৰিছোঁ,
যদি আন্ধাৰত মোৰ শয্যা পাৰিছোঁ, (Sheol h7585) ১৪ যদি মই গাতক
মোৰ পিতৃ, আৰু পোকক, তুমি মোৰ মাতৃ আৰু ভনী বুলি কৈছা, ১৫
তেনেহ'লে মোৰ আশা ক'ত? আৰু মোৰ আশাক নো কোনে দেখা
পাব? ১৬ আশাৰ সৈতে নামি গৈ মই চিয়োলৰ দুৱাৰমুখ পাম কেতিয়া
ধূলিত গৈ জিৰণী পাম?" (Sheol h7585)

**১৮** তাতে চুহীয়া বিল্দাদদে পুনৰায় উত্তৰ কৰি ক'লে, ২
তোমালোকেনো কিমান কাল কথা বিচাৰি থাকিবা? তোমালোকে বুজি
চাব লাগে; তাৰ পাছত আমি কথা ক'ব পাৰোঁ। ৩ আমি নো কেলেই
পশুতুল্য গণিত হৈছোঁ? আৰু তোমালোকৰ দৃষ্টিত আমি নো কেলেই
অশুচি হৈছোঁ? ৪ ক্ৰোধত নিজকে বিদৰোৱা যি তুমি, তোমাৰ নিমিত্তে
জানো পৃথিৱী ত্যাগ কৰা হ'ব, বা তোমাৰ নিমিত্তে বৃহৎ শিলক নিজ
ঠাইৰ পৰা আঁতৰোৱা যাব? ৫ নিশ্চয় দুষ্টৰ দীপ্তি নুমাই যাব, আৰু
তাৰ অগ্নিশিখাই পোহৰ নিদিব। ৬ তাৰ তম্বুত পোহৰেই আন্ধাৰ হ'ব,
আৰু তাৰ ওপৰত ওলোমাই থোৱা চাকি নুমাই যাব। ৭ তাৰ খোজৰ
শক্তি কম হৈ যাব, আৰু সি নিজৰ পৰামৰ্শতে নিজে পৰিব। ৮ কিয়নো
নিজৰ ভৰিয়েই তাক জালৰ মাজত পেলাই দিয়ে, আৰু সি পাশৰ
ওপৰেদি ফুৰে। ৯ কুন্দাই তাৰ ভৰিৰ গোৰোহাত ধৰিব, আৰু সি
ফান্দত ধৰা পৰিব। ১০ তাৰ নিমিত্তে মাটিত খোৰোচা লুকুৱাই পতা
আছে, আৰু তাৰ নিমিত্তে বাটত ফাচ পতা আছে। ১১ কেইওফালৰ
পৰা নানা ত্ৰাসে তাক ভয় লগাব, আৰু খোজে খোজে তাক খেদি
যাব। ১২ ভোকত তাৰ বল কমি যাব, আৰু বিপদে তাৰ পতনলৈ
বাট চাই থাকিব। ১৩ মৃত্যুৰ জেষ্ঠ পুত্ৰই তাৰ সৰ্ব্বাঙ্গ গ্ৰাস কৰিব,
আৰু তাৰ শৰীৰৰ অঙ্গ-প্ৰতঙ্গবোৰ খাই পেলাব, ১৪ যি তম্বুতেই সি
আশ্ৰয় লব, সেই তম্বুৰেই পৰা তাক তুলি নিয়া হ'ব; ত্ৰাসবোৰৰ ৰজাৰ
ওচৰলৈ তাক নিয়া হ'ব। ১৫ তাৰ অসম্পৰ্কীয়বোৰে তাৰ তম্বুত বাস
কৰিব; তাৰ বসতিৰ ঠাইত গন্ধক সিঁচা হ'ব। ১৬ তলত তাৰ শিপাবোৰ
শুকাব, আৰু ওপৰত তাৰ ডাল কটা যাব। ১৭ পৃথিবীৰ পৰা তাৰ
সোঁৱৰণ লুপ্ত হ'ব, আৰু গাৱেঁ-ভূঁয়ে কোনেও তাৰ নাম নলব। ১৮ তাক

পোহৰৰ পৰা আন্ধাৰলৈ দূৰ কৰি দিয়া হ'ব, আৰু সংসাৰৰ পৰা খেদাই
দিয়া যাব। ১৯ স্বজাতীয়বোৰৰ মাজত তাৰ পো নাতি নাথাকিব, তাৰ
বসতিৰ কোনো ঠাইত কোনো অৱশিষ্ট নাথাকিব। ২০ তাৰ দুৰ্দ্দিন
দেখি পশ্চিমত থকা লোক সকলে বিস্ময় মানিব, আৰু পূবত থকাবোৰে
চিঞৰি উঠিব। ২১ নিশ্চয়ে অধৰ্ম্মিৰ বাসস্থান এনেকুৱা হ'ব, আৰু
ঈশ্বৰক নজনা লোকৰ ঠাই এনেকুৱা।"

**১৯** তেতিয়া ইয়োবে পুনৰ উত্তৰ কৰি ক'লে, ২ তোমালোকে
নো কিমান কাললৈ মোৰ মনত ক্লেশ দিবা, আৰু বাক্যেৰে মোক
গুড়ি কৰিবা? ৩ তোমালোকে এই দহবাৰ মোক অপমান কৰিলা;
তোমালোকে যে মোলৈ নিষ্ঠুৰ ব্যৱহাৰ কৰিছা, ইয়াতে তোমালোকে
লাজ নোপোৱা। ৪ বাস্তৱিকতে মই যদি ভূল কৰিলোঁ, তেন্তে মোৰ
সেই ভূল মোৰ লগতে আছে। ৫ যদি বাস্তৱিকতে তোমালোকে মোৰ
ওপৰত গৰ্ব্ব কৰা, আৰু মোৰ বিৰুদ্ধে মোৰ অপমানৰ প্ৰমাণ কৰা,
৬ তেন্তে তোমালোকে জানিবা যে, ঈশ্বৰেহে মোৰ অন্যায় কৰিছে,
আৰু তেওঁ নিজৰ জালেৰেই মোক মেৰাই ধৰিছে। ৭ চোৱা, মই
অন্যায়ৰ কাৰণে চিঞৰোঁ, কিন্তু কোনেও নুশুনে; মই উপকাৰ পাবলৈ
কাতৰোক্তি কৰোঁ, কিন্তু সোধ বিচাৰ নাই। ৮ মই পাৰ হ'ব নোৱাৰাকৈ
তেওঁ মোৰ বাটত জেওৰা দিছে, আৰু মোৰ পথ আন্ধাৰ কৰিছে। ৯
তেওঁ মোৰ গৌৰৱস্বৰূপ বস্ত্ৰ সোলোকাই দিলে, আৰু মোৰ মুৰৰ কিৰীটি
দূৰ কৰিলে। ১০ তেওঁ মোক চাৰিওফালে ভাঙি-ছিঙি পেলোৱাত, মই
বিনষ্ট হ'লো; তেওঁ মোৰ আশাকো গছৰ দৰে উঘালি পেলালে, ১১ তেওঁ
মোৰ বিৰুদ্ধে নিজ ক্ৰোধ জ্বলালে; আৰু তেওঁ মোক তেওঁৰ শত্ৰুবোৰৰ
মাজৰ এজন বুলি জ্ঞান কৰিছে। ১২ তেওঁৰ সৈন্যবোৰে একেলগে
আহি মোৰ বিৰুদ্ধে গড় বান্ধিছে, আৰু মোৰ তম্বুৰ চাৰিওফালে ছাউনি
পাতিছে। ১৩ তেওঁ মোৰ ভাই-ককাইবোৰক মোৰ পৰা দূৰ কৰিলে,
আৰু মোৰ চিনাকি লোক সকল মোলৈ একেবাৰে অচিনাকি হ'ল। ১৪
মোৰ জ্ঞাতি-কুটুম্ববোৰ আঁতৰ হৈছে, আৰু মোৰ প্ৰণয়ৰ বন্ধুবোৰে
মোক পাহৰিলে। ১৫ মোৰ ঘৰৰ বন্দী আৰু মোৰ বেটীবোৰেও, মোক
অচিনাকি যেন জ্ঞান কৰে; মই সিহঁতৰ দৃষ্টিত বিদেশী হৈছোঁ। ১৬ মোৰ

বন্দীক মই মাতিলে, সি উত্তৰ নিদিয়ে; মই নিজ মুখেৰে তাৰ আগত
বিনয় কৰিব লগীয়া হৈছোঁ। ১৭ মোৰ তিৰোতাৰ আগত মোৰ নিশ্বাস,
আৰু মোৰ সহোদৰৰ আগত মোৰ গাৰ গোন্ধ ঘিণলগীয়া হৈছে। ১৮
শিশুবোৰেও মোক তুচ্ছ জ্ঞান কৰে; মই উঠিব খুজিলে, সিহঁতে মোৰ
অহিতে কথা কয়। ১৯ মোৰ বিশ্বাসী বন্ধুবোৰে মোক ঘিণ কৰে, মোৰ
প্ৰিয় পাত্ৰসকল মোৰ পৰা বিমুখ হ'ল। ২০ মই হাড়ে-ছালে লাগিলোঁ;
মই কেৱল দাঁতৰ ছালখিনিৰে সৈতে সাৰিলোঁ। ২১ হে মোৰ বন্ধু সকল,
তোমালোকেই মোক কৃপা কৰা, মোক কৃপা কৰা; কিয়নো ঈশ্বৰৰ হাতে
মোক স্পৰ্শ কৰিলে। ২২ ঈশ্বৰৰ নিচিনাকৈ তোমালোকেও মোক কিয়
তাড়না কৰিছা? আৰু মোৰ মঙহত তোমালোকৰ কিয় হেপাহ পলোৱা
নাই? ২৩ অস্ মোৰ কথাবোৰ লিখা হোৱা হ'লে, অস্, সেইবোৰ
পুথিত লিখি থোৱা হ'লে, ২৪ অস্, সেইবোৰ লোহাৰ কলম আৰু সীহৰ
সৈতে সেইবোৰ চিৰকালৰ বাবে শিলত লিখা! ২৫ কিন্তু মই হ'লে
জানো, মোৰ মুক্তিদাতা জীয়াই আছে, শেষত তেওঁ পৃথিৱীৰ ওপৰত
উঠি থিয় হ'ব। ২৬ আৰু মোৰ গাৰ ছাল এইদৰে নষ্ট হোৱাৰ পাছত,
মই শৰীৰবিহীন হৈ ঈশ্বৰক দৰ্শন কৰিম। ২৭ মই নিজেই তেওঁক
দেখা পাম, আনৰ চকুৰে নহয়, মোৰ নিজৰ চকুৰেই তেওঁক দেখিব।
হাবিয়াহ কৰোঁতে কৰোঁতে মোৰ অন্তৰত হৃদয় ক্ষীণ হৈ গৈছে। ২৮
যদি তুমি কোৱা, 'আমি তাক কেনেকৈ তাড়না কৰিম কিয়নো মূল বিষয়
তাৰ ওচৰত পোৱা যায়,' ২৯ তেনেহলে তোমালোকে তৰোৱাললৈ ভয়
কৰা; কিয়নো ক্ৰোধে তৰোৱালৰ দণ্ড আনে, গতিকে তোমালোকে
জানিব লাগে যে, ন্যায় বিচাৰ এটা আছে।"

২০ তেতিয়া নামাথীয়া চোফৰে পুনৰায় উত্তৰ কৰি ক'লে, ২ মোৰ
ভাৱনাই উত্তৰ দিবলৈ মোক উদগাইছে, কাৰণ এইবোৰে মোক
অন্তৰক অধৈৰ্য কৰিছে। ৩ মোক লাজ দিয়া উপদেশ মই শুনিলোঁ,
তথাপি মোৰ বুদ্ধিদায়ক আত্মাই মোক উত্তৰ যোগাইছে। ৪ কেতিয়াৰ
পৰা ঈশ্বৰে পৃথিৱীত মনুষ্যক স্থাপন কৰিছিল, কালৰ আৰম্ভণিৰ সেই
ৰহস্য তুমি নাজানা, ৫ দুষ্টবোৰৰ জয়-ধ্বনি যে অলপদিনীয়া, আৰু
অধাৰ্মিকৰ আনন্দ যে খন্তেকীয়া, ইয়াক তুমি নাজানা নে? ৬ যদি

দুষ্টলোকৰ মাহাত্ম্যই আকাশ পায়গৈ, আৰু তাৰ মুৰ মেঘত লাগে, ৭
তথাপি সি নিজ বিষ্ঠাৰ দৰে চিৰকাললৈকে নষ্ট হ'ব, যিবিলাকে তাক
দেখিছিল, তেওঁবিলাকে সুধিব, সি ক'ত আছে? ৮ সি সপোনৰ দৰে
উড়ি যাব, তাক পুনৰ পোৱা নাযাব; এনে কি, ৰাতিকালৰ দৰ্শনৰ দৰে
সি লুপ্ত হ'ব। ৯ যি চকুৱে তাক দেখিছিল, সেই চকুৱে তাক পুনৰ
নেদেখিব; তাৰ নিবাসৰ ঠায়ে তাক পুনৰ দেখা নাপাব। ১০ তাৰ
সন্তানবোৰে দৰিদ্ৰসকলৰ পৰা অনুগ্ৰহ বিচাৰিব, আৰু তাৰ নিজ হাতে
তাৰ ধন-সম্পত্তি ওভোটাই দিব। ১১ তাৰ অস্থিবোৰ ডেকা কালৰ
শক্তিৰ পৰিপূৰ্ণ, কিন্তু ইয়ো তাৰ লগত ধূলিত শুব। ১২ যদিও দুষ্টতা
তাৰ মুখত সোৱাদ লাগে, যদিও সি জিভাৰ তলত তাক লুকুৱাই
ৰাখে, ১৩ যদিও সি তাতে ধৰি ৰাখে আৰু এৰি দিব নিবিচাৰে, কিন্তু
তাৰ মুখৰ ভিতৰতে তাক ৰাখি থয়, ১৪ তথাপি তাৰ আহাৰ পেট
পাই বিকৃত হয়, সেয়ে তাৰ ভিতৰত কালসৰ্পৰ বিষস্বৰূপ হৈ পৰে।
১৫ সি ধন-সম্পত্তি গ্ৰাস কৰে, আৰু তাক পুনৰাই বতিঁয়াই পেলাব;
ঈশ্বৰে তাৰ পেটৰ পৰা তাক উলিয়াই পেলাব। ১৬ সি কালসৰ্পৰ বিষ
চুহিব; বিশাল সাপৰ জিভাই তাক বধ কৰিব। ১৭ সি নদীবোৰ দেখা
নাপাব, মৌ আৰু দৈ গাখীৰ বৈ যোৱা সুঁতিবোৰ নেদেখিব। ১৮ সি
নিজ পৰিশ্ৰমৰ ফল ওভোটাই দিব, গ্ৰাস নকৰিব; সি লাভ পোৱা নিজ
সম্পত্তি অনুসাৰে উল্লাস নকৰিব। ১৯ সি দৰিদ্ৰবোৰক উপদ্ৰৱ আৰু
ত্যাগ কৰিলে; এই হেতুকে যি ঘৰ কাঢ়ি ল'লে, সেই ঘৰ সি সাজি
উলিয়াব নোৱাৰিব। ২০ তাৰ পেট কেতিয়াও তৃপ্ত নহয়; এই হেতুকে
সি নিজৰ মৰমৰ বস্তুৰ মাজৰ একোকে ৰক্ষা কৰিব নোৱাৰিব। ২১ সি
গ্ৰাস নকৰা একোৱেই বাকী নাই; এই কাৰণে তাৰ মঙ্গল চিৰকলীয়া
নহ'ব। ২২ তাৰ বস্তু-বাহানি জোৰাওকৈ থকা সময়তো সি ঠেকত
পৰিব; দুখত পৰা প্ৰতিজনৰ হাতে তাক আক্ৰমণ কৰিব। ২৩ সি নিজ
পেট ভৰাবলৈ ধৰোঁতেই, ঈশ্বৰে তাৰ ওপৰত ক্ৰোধাগ্নি পেলাব, আৰু
সি খাই থাকোঁতেই তাৰ ওপৰত তাক বৰষাব। ২৪ সি লোহাৰ অস্ত্ৰৰ
পৰা পলাই যাব; কিন্তু পিতলৰ ধনুবাণে তাক সৰকাই পেলাব। ২৫
সি বাণ টানিলে, সেয়ে তাৰ গাৰ পৰা ওলাই আহে; এনে কি, তাৰ

তিৰবিৰোৱা আগ, তাৰ পিত্তৰ পৰা বাহিৰ হয়; তাতে মৰণৰ ভয়ে
তাক আক্ৰমণ কৰে। ২৬ তাৰ সঞ্চিত বস্তুৰ অৰ্থে ঘোৰ আন্ধাৰ ৰাখি
থোৱা হৈছে, মানুহে নধৰা জুয়ে তাক গ্ৰাস কৰিব; সেয়ে তাৰ তম্বুত
থকা অৱশিষ্ট বস্তু ভষ্ম কৰিব। ২৭ আকাশ-মণ্ডলে তাৰ অপৰাধ প্ৰকাশ
কৰিব, আৰু পৃথিৱী তাৰ বিৰুদ্ধে উঠিব। ২৮ তাৰ ঘৰৰ সম্পত্তি উড়ি
যাব; ঈশ্বৰৰ ক্ৰোধৰ দিনা তাক ধল পানীয়ে উটুৱাই নিব। ২৯ দুষ্ট
মানুহে ঈশ্বৰৰ পৰা পাবলগীয়া ভাগ এয়ে, আৰু এয়ে ঈশ্বৰে নিৰূপণ
কৰা তাৰ অধিকাৰ।

**২১** তেতিয়া ইয়োবে পুনৰায় উত্তৰ কৰি ক'লে, ২ তোমালোকে
মন দি মোৰ কথা শুনা; আৰু এয়ে তোমালোকৰ শান্ত্বনা হওক। ৩
অলপ সহন কৰা, ময়ো কওঁ; মই কোৱাৰ পাছতো তুমি বিদ্ৰূপ কৰি
থাকা। ৪ মই লোকৰ নামত অভিযোগ কৰিম নে? মই কিয় অসহিষ্ণু
নহম? ৫ তোমালোকে মোলৈ চাইছা আৰু আচৰিত মানিছা, আৰু
নিজৰ মুখত হাত দিছা। ৬ যেতিয়া মই মোৰ কষ্টৰ বিষয়ে ভাবো,
তেতিয়া মই বিহ্বল হওঁ, আৰু ত্ৰাসতে মোৰ শৰীৰ কঁপে। ৭ দুষ্টবোৰ
কিয় জীয়াই থাকে? কিয় বৃদ্ধ হয়, আৰু ক্ষমতাশালীও হয়? ৮ সিহঁতৰ
বংশ সিহঁতৰ সন্মুখত সিহঁতৰ লগত থাকে; সিহঁতৰ সন্তান-সন্ততিবোৰ
সিহঁতৰ চকুৰ আগত থিৰে থাকে। ৯ সিহঁতৰ ঘৰবোৰ ভয় নোপোৱাকৈ
শান্তিৰে থাকে, আৰু সিহঁতৰ ওপৰত ঈশ্বৰৰ দণ্ডৰ আঘাতো নপৰে।
১০ সিহঁতৰ ষাঁড় গৰুবোৰে সংগম কৰিলে সেয়ে নিষ্ফল নহয়; সিহঁতৰ
গাই জগে, বিনচ নকৰে। ১১ সিহঁতে নিজ নিজ শিশুবোৰক মেৰৰ
জাকৰ দৰে বাহিৰলৈ উলিয়াই দিয়ে; আৰু সিহঁতৰ সন্তানবোৰে নাচ-
গান কৰে। ১২ সিহঁতে খঞ্জৰী আৰু বীণা বজাই গান গায়, আৰু বাঁহীৰ
শব্দত উল্লাস কৰে। ১৩ সিহঁতে সুখেৰে নিজ নিজ দিন কটায়; পাছত
এক নিমিষতে চিয়োললৈ নামি যায়। **(Sheol h7585)** ১৪ তথাপি সিহঁতে
ঈশ্বৰক কয়, "তুমি আমাৰ পৰা দূৰ হোৱা; কিয়নো আমি তোমাৰ পথ
জানিব নোখোজোঁ। ১৫ সৰ্ব্বশক্তিমান জনানো কোন যে, আমি তেওঁৰ
সেৱা কৰিম? আৰু তেওঁৰ আগত প্ৰাৰ্থনা কৰিলেই আমাৰ বা কি লাভ
হ'ব? ১৬ চোৱা, সিহঁতৰ মঙ্গল সিহঁতৰ হাতৰ দ্বাৰাই নহয়; দুষ্টবোৰৰ

মন্ত্ৰণা মোৰ পৰা দূৰ হওঁক। ১৭ দুষ্টবোৰৰ প্ৰদীপ নো কিমানবাৰ
নুমুউৰা হয়? কিমানবাৰ নো সিহঁতৰ বিপদ সিহঁতলৈ ঘটে? কিমানবাৰ
নো ঈশ্বৰে নিজ ক্ৰোধত ক্লেশ বিলাই দিয়ে? ১৮ কিমানবাৰ সিহঁত
বতাহৰ আগত খেৰৰ নিচিনা, আৰু ধুমুহাই উড়াই নিয়া ঘুলাৰ নিচিনা
হয়? ১৯ তোমালোকে কোৱা, “ঈশ্বৰে তাৰ সন্তানবোৰলৈ তাৰ অধৰ্ম
সাঁচি থয়”। সেয়ে ভোগ কৰিবৰ কাৰণে তেওঁ তাকেই প্ৰতিফল দিয়ক।
২০ তাৰ নিজ চকুৱেই তাৰ সৰ্ব্বনাশ চাওক, আৰু সৰ্ব্বশক্তিমান জনাৰ
ক্ৰোধ সিয়েই পান কৰক। ২১ কিয়নো, তাৰ মাহ কেইটা ওৰ পৰিলে
হ’ল, সি মৰাৰ পাছত, তাৰ ভাবি-বংশৰ লগত তাৰ কি সম্পৰ্ক?
২২ যি জনাই উৰ্দ্ধবাসীসকলৰো বিচাৰ কৰে, এনে জনা ঈশ্বৰকেই
কোনোবাই জ্ঞান শিক্ষা দিব পাৰে নে? ২৩ সকলোৱে ভাবে শান্তিৰে
আৰু নিশ্চিন্তে থাকিম, কোনোৱে সম্পূৰ্ণ বলত মৰে। ২৪ তাৰ গাখীৰৰ
পাত্ৰবোৰ গাখীৰেৰে পৰিপূৰ্ণ, আৰু তাৰ হাড়বোৰৰ মগজু ৰসযুক্ত। ২৫
আন কোনোৱে মনত তিতা লাগি মৰে; সি কেতিয়াও মঙ্গলৰ আস্বাদ
নাপায়। ২৬ সিহঁত দুয়ো একেলগে ধুলিত শোৱে, আৰু পোকে সিহঁত
দুয়োকো ঢাকে। ২৭ চোৱা, মই তোমালোকৰ মনৰ ভাব জানিছোঁ;
আৰু মোৰ বিৰুদ্ধে অন্যায়কৈ যিবোৰ মন্ত্ৰণা কৰিছা, সেইবোৰকো
মই জানিছোঁ। ২৮ কিয়নো তোমালোকে কৈছা, “সেই ডাঙৰীয়াৰ ঘৰ
ক’ত? আৰু সেই দুৰ্জনবোৰে বাস কৰা তম্বুটো ক’ত? ২৯ তোমালোকে
পথিকবিলাকক সোধা নাই নে? ৩০ দুষ্টই বিপদৰ দিনত ৰক্ষা পায়,
আৰু ক্ৰোধৰ দিনত তাক আঁতৰাই নিয়া হয়, এই বুলি তেওঁলোকে
কোৱা বিবৰণ তোমালোকে নাজানা নে? ৩১ তাৰ আচৰণৰ কথা তাৰ
মুখৰ আগত কোনে ক’ব? আৰু তাৰ কৰ্মৰ প্ৰতিফল তাক কোনে দিব?
৩২ তথাপি তাক মৈদামলৈ নিয়া হ’ব, আৰু লোকে তাৰ মৈদামত পৰ
দি থাকিব। ৩৩ আৰু উপত্যকাৰ চপৰাবোৰ তালৈ লঘু যেন বোধ হব;
যেনেকৈ তাৰ আগেয়ে অলেখ মানুহ গৈছিল, তেনেকৈ তাৰ পাছতো
সকলো মানুহ যাব। ৩৪ তেন্তে তোমালোকে কেনে অনৰ্থক শান্ত্বনা
দিছা! তোমালোকৰ উত্তৰবোৰ কেৱল মিছাহে।”

২২ তেতিয়া তৈমনীয়া ইলীফজে পুনৰায় উত্তৰ কৰি ক'লে, ২ মানুহ
জানো ঈশ্বৰৰ উপকাৰী হব পাৰে? বাস্তৱিক জ্ঞানী মানুহ নিজৰেইহে
উপকাৰী হয়। ৩ তুমি ধাৰ্মিক হলে সৰ্ব্বশক্তিমান জনাৰ কিবা হিত
হব নে? তুমি সিদ্ধ আচৰণ কৰিলে তেওঁৰ কি লাভ হব? ৪ তেওঁলৈ
তোমাৰ কি ভয়, তাৰ কাৰণেহে তেওঁ জানো তোমাক অনুযোগ কৰে?
তাৰ নিমিত্তেহে জানো তেওঁ তোমাৰ লগত বিচাৰত সোমাব? ৫
তোমাৰ দুষ্টতা অধিক নহয় নে? তোমাৰ অপৰাধ অসীম নহয় নে? ৬
কিয়নো তুমি অকাৰণতে নিজ ভাইৰ পৰা বন্ধক ল'লা, আৰু বস্ত্ৰহীনৰ
পৰাও বস্ত্ৰ কাঢ়ি ল'লা। ৭ তুমি তৃষ্ণাতুৰ লোকক পানী নিদিলা, আৰু
ক্ষুধাতুৰ লোকৰ আহাৰ আটক কৰিলা। ৮ কিন্তু দেশখন পৰাক্ৰমী
জনাৰেই আছিল; আৰু মৰ্য্যদাৱান জনাই তাত বাস কৰিছিল। ৯ তুমি
বিধৱাসকলক শুদা হাতে বিদায় দিলা; আৰু পিতৃহীনসকলৰ বাহু
ভঙা হ'ল। ১০ এই হেতুকে তোমাৰ চাৰিওফালে ফান্দ আছে; আৰু
আকস্মিক ত্ৰাসে তোমাক বিহ্বল কৰিছে। ১১ তুমি আন্ধাৰ দেখা নাই
নে? তোমাক তল নিওঁতা ঢল-পানী জানো দেখা নোপোৱা? ১২ ঈশ্বৰ
নিচেই ওখত থকা স্বৰ্গত নাই নে? সকলোতকৈ ওপৰত থকা তৰাবোৰ
চোৱা, সেইবোৰ কিমান ওখত আছে? ১৩ তুমি কৈছা, “ঈশ্বৰে কি
জানে? ঘন মেঘৰ মাজেদি তেওঁ জানো বিচাৰ কৰিব পাৰে? ১৪
ঘন মেঘে আঁৰ কৰি ধৰাত, তেওঁ দেখিবলৈ নাপায়, কেৱল আকাশ-
মণ্ডল ফুৰি থাকে।” ১৫ তুমি পুৰণি পথকে ধৰি থাকিবা নে, যি পথেৰে
দুৰ্জনবোৰে খোজকাঢ়ে - ১৬ সিহঁতক অকালতে ধৰি নিয়া হৈছিল; আৰু
সিহঁতৰ ভিত্তিমূল বান-পানীয়ে উটাই নিছিল। ১৭ সেই সময়ত সিহঁতে
ঈশ্বৰক কৈছিল, “আমাৰ পৰা দূৰ হোৱা;” আৰু “সৰ্ব্বশক্তিমান জনাই
আমাৰ অৰ্থে কি কৰিব পাৰে?” ১৮ তথাপি তেওঁ সিহঁতৰ ঘৰবোৰ
উত্তম উত্তম দ্ৰব্যেৰে পৰিপূৰ্ণ কৰিছিল; কিন্তু দুষ্টবোৰৰ আলচ মোৰ
পৰা দূৰত থাকে। ১৯ তাকে দেখি ধাৰ্মিকসকলে আনন্দ কৰে; আৰু
নিৰ্দ্দোষী লোকে সিহঁতক খেঁজেলিয়াই, ২০ আৰু কয়, “আমাৰ বিৰুদ্ধে
উঠাবোৰ নিশ্চয়ে বিনষ্ট হল; আৰু সিহঁতৰ প্ৰচুৰ সম্পত্তি অগ্নিয়ে গ্ৰাস
কৰিলে।” ২১ এতিয়া তুমি তেৰেঁ সৈতে পৰিচয় কৰি শান্তি লাভ কৰা;

তাকে কৰিলে তোমাৰ মঙ্গল হব। ২২ তেওঁৰ মুখৰ পৰা ব্যৱস্থা গ্ৰহণ
কৰা, আৰু তেওঁৰ বাক্যবোৰ তোমাৰ হৃদয়ত ৰাখা। ২৩ যদি তুমি
সৰ্ব্বশক্তিমান জনালৈ ঘূৰা, আৰু তোমাৰ তম্বুৰ পৰা অধৰ্ম দূৰ কৰা,
তেন্তে তুমি পুনৰায় উন্নতি লাভ কৰিবা। ২৪ তোমাৰ বহুমূল্য ধন
ধূলিত ৰাখা, আৰু ওফীৰৰ সোণ জুৰিৰ শিলবোৰৰ মাজত পেলোৱা;
২৫ তাতে সৰ্ব্বশক্তিমান জনা তোমাৰ বহুমূল্য ধন হ'ব, আৰু তেওঁ
তোমাৰ উজ্জ্বল ৰূপস্বৰূপ হব। ২৬ কিয়নো তেতিয়া তুমি সৰ্ব্বশক্তিমান
জনাত আনন্দ কৰিবা, আৰু ঈশ্বৰলৈ মুখ তুলিবা। ২৭ তুমি তেওঁৰ
আগত প্ৰাৰ্থনা কৰিলে তেওঁ শুনিব; তাতে তেওঁ তোমাৰ সঙ্কল্প সিদ্ধ
কৰিব। ২৮ তুমি কোনো বিষয় মনত স্থিৰ কৰিলে, সেয়ে তোমালৈ সিদ্ধ
হ'ব; আৰু তোমাৰ পথত পোহৰ পৰিব। ২৯ বিপদৰ কালত তুমি কবা,
উন্নতি হব; আৰু অধোমুখক তেওঁ নিস্তাৰ কৰিব। ৩০ তেওঁ নিৰ্দ্দোষী
নোহোৱা জনকো উদ্ধাৰ কৰিব; এনে কি, সি তোমাৰ হাতৰ যোগেদি
পবিত্ৰতাৰ উদ্ধাৰ পাব।"

২৩ তেতিয়া ইয়োবে পুনৰায় উত্তৰ কৰি কলে, ২ এতিয়াও মোৰ
কাতৰোক্তি বিৰুদ্ধী; মোৰ কেঁকনিতকৈয়ো মই খোৱা কোব গুৰুতৰ।
৩ অস, মই তেওঁক ক'ত পাম, তাক জনা হলে, আৰু তেওঁৰ তালৈ
যাব পৰা হলে, কেনে ভাল আছিল। ৪ তেতিয়া মোৰ গোচৰ
তেওঁৰ আগত মই জনালোহেঁতেন, আৰু মোৰ মুখ নানা যুক্তিৰে পূৰ্ণ
কৰিলোহেঁতেন; ৫ তেওঁ যি যি বাক্যৰ দ্বাৰাই মোক উত্তৰ দিব, তাক মই
জানিলোঁহেঁতেন, আৰু তেওঁ মোলৈ কি কি কব, তাকো বুজিলোহেঁতেন।
৬ তেওঁ মহাপৰাক্ৰমেৰে মোৰ লগত বিৰোধ কৰিলেহেঁতেন নে?
নকৰিলেহেঁতেন, কিন্তু তেওঁ মোলৈ মনোযোগহে কৰিলেহেঁতেন। ৭
তেতিয়া সেই ঠাইত সৰল লোকে তেওঁৰ লগত বাদানুবাদ কৰিব
পাৰিলেহেঁতেন; তাতে মোৰ বিচাৰকে মোক ন্যায় দিব পাৰিলেহেঁতেন।
৮ চোৱা, মই পূব ফাললৈ যাওঁ, কিন্তু তেওঁ তাত নাই; আৰু পশ্চিম
ফাললৈ যাওঁ, তাতো তেওঁক দেখা নাপাওঁ। ৯ তেওঁ কাৰ্য কৰা সময়ত
মই উত্তৰ ফাললৈ যাওঁ, কিন্তু মই তেওঁক দেখা নাপাওঁ; তেওঁ দক্ষিণ
ফালে নিজকে লুকুৱায়, কিন্তু মই তেওঁক নেদেখোঁ। ১০ কিন্তু মই যি

পথ ধৰিছোঁ, তাক তেওঁ জানে; তেওঁ মোক পৰীক্ষা কৰা হলে, মই
সোণৰ দৰে ওলালোহেঁতেন। ১১ মই তেওঁৰ ভৰিৰ খোজত ভৰি দি দি
আহিছোঁ; এফলীয়া নোহোৱাকৈ মই তেওঁৰ পথত চলিছোঁ। ১২ তেওঁৰ
মুখৰ আজ্ঞাৰ পৰা মই আঁতৰি যোৱা নাই; তেওঁৰ মুখৰ বাক্য মোৰ
আৱশ্যকীয় আহাৰতকৈয়ো বহুমূল্য জ্ঞান কৰিলোঁ। ১৩ কিন্তু তেওঁ
এক মনৰ লোক, তেওঁক কোনে ঘুৰাব পাৰে? তেওঁৰ যি ইচ্ছা, তাকেই
তেওঁ কৰে। ১৪ মোলৈ যি নিৰূপিত, নিশ্চয়ে তাক তেওঁ সিদ্ধ কৰিব;
আৰু এনে অনেক কথা তেওঁৰ মনত আছে। ১৫ এই নিমিত্তে মই
তেওঁৰ সাক্ষাতে ব্যাকুল হওঁ। মই বিবেচনা কৰিলে তেওঁৰ পৰা ভয়
পাওঁ। ১৬ কিয়নো ঈশ্বৰেই মোৰ মন ভগ্ন কৰিলে, আৰু সৰ্ব্বশক্তিমান
জনাই মোক ব্যাকুল কৰিলে; ১৭ কাৰণ মই আন্ধাৰৰ কাৰণে ব্যাকুল
নহওঁ, আৰু ঘোৰ অন্ধকাৰে ঢকা মোৰ মুখৰ কাৰণে মই বিহ্বল নহওঁ।
**২৪** সৰ্ব্বশক্তিমান জনাৰ দ্বাৰাই কিয় সময় নিৰূপিত নহয়? তেওঁক
জনালোকে কিয় তেওঁৰ দিন দেখিবলৈ নাপায়? ২ কোনো কোনোৱে
মাটিৰ সীমাৰ চিন লৰায়, আৰু মেৰৰ জাকক বলেৰে লৈ চৰায়।
৩ সিহঁতে পিতৃহীনবিলাকৰ গাধ খেদি লৈ যায়, আৰু বিধৱাৰ গৰু
বন্ধক লয়। ৪ সিহঁতে দৰিদ্ৰবিলাকক বাটৰ পৰা খেদি দিয়ে, আৰু
দেশৰ দুখীয়াবিলাক একেবাৰে লুকাই থাকিব লগীয়া হয়। ৫ চোৱা,
কোনোৱে অৰণ্যত থকা বনৰীয়া গাধৰ নিচিনাকৈ, নিজৰ আহাৰ
যত্নেৰে বিচাৰা কামলৈ ওলাই যায়; অৰণ্যে সিহঁতৰ সন্তানসকলৰ
নিমিত্তে সিহঁতক আহাৰ দিয়ে। ৬ সিহঁতে খাবৰ নিমিত্তে পথাৰত
পহুৰ যোগ্য শস্য কাটে; আৰু দুৰ্জনৰ শেষতীয়া দ্ৰাক্ষাগুটি চপায়। ৭
সিহঁতে বস্ত্ৰৰ অভাৱত উদং গাৰে ৰাতি কটায়, আৰু জাৰত গাত লবলৈ
সিহঁতৰ একো নাই। ৮ সিহঁতে পৰ্ব্বতৰ বৰষুণত তিতে, আৰু আশ্ৰয়
নথকাত বৰ বৰ শিলত আঁকোৱাল মাৰি ধৰে। ৯ কোনোৱে পিতৃহীন
কেঁচুৱাক মাকৰ বুকুৰ পৰা কাঢ়ি লয়, আৰু দুখীয়াৰ পৰা বন্ধক লয়।
১০ তাতে সিহঁতে বস্ত্ৰৰ অভাৱত উদং গাৰে ফুৰে, আৰু ভোকতে থাকি
ডাঙৰি কঢ়িয়ায়। ১১ সিহঁতে সেই দুষ্টবোৰৰ বেৰৰ ওচৰত তেল পেৰে,
আৰু দ্ৰাক্ষাশালত দ্ৰাক্ষাগুটি গচকি পিয়াহত আতুৰ হৈ থাকে। ১২

জনপূৰ্ণ নগৰৰ মাজত লোকবিলাকে কেঁকাই, আৰু সাংঘাতিকৰূপে
আঘাত পোৱালোকৰ প্ৰাণে চিঞৰে; তথাপি ঈশ্বৰে এই অন্যায়লৈ মন
নিদিয়ে। ১৩ আৰু কোনোৱে পোহৰৰ বিদ্ৰোহী হয়, তাৰ আওভাও
নাজানে, আৰু তাৰ পথতো নচলে। ১৪ নৰবধীয়ে দোকমোকালিতে
উঠে; সি দুখী-দৰিদ্ৰক মাৰি পেলাই; আৰু ৰাতি সি চোৰৰ নিচিনা হয়।
১৫ কাৰো চকুৱে মোক নেদেখিব, এইবুলি পৰস্ত্ৰীগামীৰ চকুৱে সন্ধিয়া
কাললৈ বাট চাই থাকে; সি কয়, ‘কোনোৱে চকুৰে মোক দেখা নাই”।
সি নিজৰ মুখ ঢাকি ৰাখে। ১৬ কোনো কোনোৱে আন্ধাৰত ঘৰবোৰত
সিন্ধি দিয়ে; সিহঁতে দিনত দুৱাৰ বন্ধ কৰি সোমাই থাকে; পোহৰ
কি, সিহঁতে নাজানে। ১৭ কিয়নো সিহঁত সকলোৰে নিমিত্তে প্ৰভাত
মৃত্যুচ্ছায়াস্বৰূপ; কাৰণ সিহঁতে মৃত্যুচ্ছায়াৰ ভয়ানক কথা জানে। ১৮
এনে লোক পানীৰ সোঁতত বেগেৰে উটি যায়; সিহঁতৰ আধিপত্যৰ ভাগ
দেশত অভিশপ্ত হয়; সিহঁতে দ্ৰাক্ষাবাৰীৰ বাটৰ ফাললৈ মুখ নুঘূৰায়।
১৯ অনাবৃষ্টি আৰু জহে যেনেকৈ হিমৰ পানী শুকুৱাই নিয়ে, তেনেকৈ
চিয়োলে পাপীবোৰক গ্ৰাস কৰে। **(Sheol h7585)** ২০ যিজনে সন্তান
নোপজোৱা বাঁজী তিৰোতাক লুটে, আৰু বিধবালৈ কোনো অনুগ্ৰহ
নকৰে, ২১ এনে লোকক মাতৃ-গৰ্ভেও পাহৰে, পোকে তাক সন্তোষেৰে
খায়; কোনেও তাক সোঁৱৰণ নকৰে; এইদৰে অধাৰ্মিকতা গছৰ
নিচিনাকৈ ভাগি যায়। ২২ তেওঁ নিজ পৰাক্ৰমৰ দ্বাৰাই বলৱন্তসকলৰ
আয়ুস দীঘল কৰে; এনেকুৱা লোকে নিজীম বুলি নিৰাশ হৈয়ো শয্যাৰ
পৰা উঠে। ২৩ তেওঁ সিহঁতক নিৰ্ভয়ে থাকিবলৈ দিয়াত, সিহঁত অতি
শান্তিৰে থাকে; আৰু তেওঁৰ চকু সিহঁতৰ পথৰ ওপৰত থাকে। ২৪
সিহঁতৰ উন্নতি হয়, আকৌ অলপতে নাইকিয়া হয়; এনে কি, সিহঁতক
নত কৰি, আন সকলোৰ দৰে নিয়া হয়, আৰু ধানৰ থোকৰ দৰে কটা
হয়। ২৫ এনেকুৱা যদি নহয়, তেন্তে কোনে মোক মিছলীয়া বুলি প্ৰমাণ
কৰিব? আৰু কোনে মোৰ বাক্য অসাৰ্থক বুলি ক’ব?”

**২৫** তাতে চুহীয়া বিল্দাদদে পুনৰায় উত্তৰ কৰি ক’লে, ২ প্ৰভুত্ব আৰু
ভয়ানকতা তেওঁৰ লগত আছে; তেওঁ নিজৰ উচ্ছস্থানবোৰত শান্তি
ৰাখে। ৩ তেওঁৰ বাহিনীসকলৰ সংখ্যা আছে নে? আৰু তেওঁৰ দীপ্তি

কাৰ ওপৰত প্ৰকাশিত নহয়?  ৪ তেন্তে ঈশ্বৰৰ আগত মানুহ কেনেকৈ
ধাৰ্মিক হ'ব পাৰে? আৰু তিৰোতাৰ পৰা জন্মাজনে কেনেকৈ শুচি হ'ব
পাৰে?  ৫ চোৱা, তেওঁৰ আগত চন্দ্ৰও দীপ্তিমান নহয়, আৰু তৰাবোৰো
নিৰ্ম্মল নহয়।  ৬ তেনেহলে পোকৰূপ মনুষ্য কিমান কম পৰিমাণে শুচি
হয়! আৰু কীট স্বৰূপ মনুষ্য-সন্তান কিমান কম পৰিমাণে পবিত্ৰ হয়!

**২৬** তেতিয়া ইয়োবে পুনৰায় উত্তৰ কৰি কলে,  ২ "তুমি দুৰ্ব্বলক
বৰ সহায় কৰিলা! আৰু বল নথকা বাহুক বৰ নিস্তাৰ কৰিলা!  ৩ আৰু
জ্ঞানহীনক বৰ পৰামৰ্শ দিলা! আৰু মূল কথা বৰ ভালকৈ বুজালা!
৪ তুমি নো কাৰ আগত কথা কলা? কাৰ নিশ্বাস নো তোমাৰ মুখৰ
পৰা ওলাল?"  ৫ বিল্দদে উত্তৰ কৰি ক'লে, "যি সকল সম্প্ৰতি মৃত,
অবহেলিত, উদ্বিগ্ন, যিসকলে জল সমূহৰ তলত নিবাস কৰে ---  ৬
তেওঁৰ আগত চিয়োল অনাবৃত, আৰু বিনাশৰ ঠাইৰ ঢাকনি নাই।
(Sheol h7585)  ৭ তেওঁ শূন্যৰ ওপৰত উত্তৰৰ আকাশ বিস্তৰ কৰে,
আৰু পৃথিবীক শূন্যত ওলোমাই থয়।  ৮ তেওঁ নিজৰ ঘন মেঘত জল
বন্ধ কৰে; তথাপি জলৰ ভৰত মেঘ নাফাটে।  ৯ তেওঁ পূৰ্ণিমাৰ চন্দ্ৰৰ
মূখ ঢাকি দিয়ে, আৰু তাৰ ওপৰত তেওঁৰ মেঘ বিস্তাৰ কৰে।  ১০ যি
ঠাইত আন্ধাৰ আৰু পোহৰ লগ লাগিছে, সেই ঠাইকে তেওঁ সীমা কৰি
সমুদ্ৰৰ ওপৰত চক্ৰাকাৰ ৰেখা আঁকে,  ১১ তেওঁৰ ধমকিত আকাশ-
মণ্ডলৰ স্তম্ভবোৰ কঁপে, আৰু বিচুৰ্ত্তি হয়,  ১২ তেওঁ নিজৰ পৰাক্ৰমেৰে
সাগৰকো আস্ফালন কৰায়, আৰু নিজ বুদ্ধিৰে ৰাহবক ডোখৰ ডোখৰ
কৰে।  ১৩ তেওঁৰ আত্মাৰ দ্ধাৰাই আকাশ-মণ্ডল বিভুষিত হয়; আৰু
তেওঁৰ হাতে পলাই যোৱা নাগটোক খুচি মাৰিলে।  ১৪ চোৱা, এইবোৰ
তেওঁৰ কাৰ্যবোৰৰ কণিকা মাথোন, আৰু আমি তেওঁৰ বিষয়ে কেনে সৰু
ফুচফুচনি শুনিছো! কিন্তু তেওঁৰ পৰাক্ৰমৰ গৰ্জ্জন কোনে বুজিব পাৰে?

**২৭** পাছত ইয়োবে পুনৰায় কথা উত্থাপন কৰি ক'লে,  ২ যি ঈশ্বৰে
মোৰ বিচাৰ অগ্ৰাহ্য কৰিলে, যি সৰ্ব্বশক্তিমান জনাই মোৰ প্ৰাণত
তিতা লগালে, সেই জীৱন্ত ঈশ্বৰৰ নামেৰে শপত খাই কৈছোঁ,  ৩
কিয়নো এতিয়াও নিশ্বাস-প্ৰশ্বাস মোত সম্পূৰ্ণৰূপে আছে, আৰু মোৰ
নাকত ঈশ্বৰে দিয়া প্ৰাণ-বায়ু আছে;  ৪ মোৰ ওঁঠে অধৰ্ম কথা কেতিয়াও

নকয়, আৰু মোৰ জিভাই ভাওনা কথা প্ৰকাশ নকৰে। ৫ মই যে তোমালোকৰ কথা স্বৰূপ বুলি স্বীকাৰ কৰিম, এনে কথা মোৰ পৰা দূৰ হওক। মই নমৰোমানে মোৰ সিদ্ধতা মোৰ পৰা দূৰ নকৰিম। ৬ মোৰ ধাৰ্মিকতা মই ধৰি ৰাখিম, এৰি নিদিম; মোৰ আয়ুসৰ দিনলৈকো মোৰ অন্তৰে মোক নোদোষে। ৭ মোৰ শত্ৰু দুৰ্জনৰ দৰে হওক, আৰু মোৰ বিৰুদ্ধে উঠা জন অধৰ্মি দৰে হওক। ৮ কিয়নো, যেতিয়া অধৰ্মিৰ প্ৰাণ ঈশ্বৰে হৰণ কৰি নিব, তেতিয়া সি ধন লাভ কৰিলেও তাৰ কি আশা থাকিব? ৯ তাৰ সঙ্কট ঘটিলে, ঈশ্বৰে কাতৰোক্তি শুনিব নে? ১০ সি জানো সৰ্ব্বশক্তিমান জনাত আনন্দ পায়? বা সদায় ঈশ্বৰৰ আগত প্ৰাৰ্থনা কৰে? ১১ ঈশ্বৰে কেনেকৈ ব্যৱহাৰ কৰে, সেই বিষয়ে মই তোমালোকক শিক্ষা দিওঁ, আৰু সৰ্ব্বশক্তিমানৰ কাৰ্য-প্ৰণালী মই লুকুৱাই নাৰাখোঁ। ১২ চোৱা, তোমালোক সকলোৱেই দেখিলা; তেন্তে তোমালোকে কিয় এনে সম্পূৰ্ণ অসাৰ কথা কোৱা? ১৩ দুৰ্জন লোকে ঈশ্বৰৰ পৰা যি ভাগ পায়, আৰু অত্যাচাৰীবোৰে যি অংশ সৰ্ব্বশক্তিমান জনাৰ পৰা ভোগ কৰে, সেয়ে এই, ১৪ তাৰ পো-নাতি বাঢ়িলে তৰোৱালৰ নিমিত্তেহে বাঢ়ে, আৰু তাৰ সন্তান-সন্ততিয়ে পেট ভৰাই খাবলৈ নাপায়। ১৫ তাৰ অৱশিষ্টবোৰক মহামাৰীৰ দ্বাৰাই পুতি থোৱা যাব, আৰু তাৰ বিধৱাবিলাকে বিলাপ নকৰিব। ১৬ যদি সি ধুলিৰ নিচিনাকৈ ৰূপ দ'মায়, আৰু পিন্ধা কাপোৰকো বোকাৰ দৰে সৰহকৈ যুগুত কৰে, ১৭ তেন্তে যুগুত কৰক, কিন্তু ধাৰ্মিক লোকেহে পিন্ধিব, আৰু নিৰ্দ্দোষী লোকে সেই ৰূপ ভাগ বাঁটি ল'ব। ১৮ সি নিজৰ ঘৰ পোকৰ দৰে সাজে, আৰু খেতি-ৰখীয়া টঙিৰ দৰে নিৰ্ম্মাণ কৰে। ১৯ সি ধনী হৈ শুব, কিন্তু তাক মৈদাম দিয়া নাযাব; সি চকু মেলামাত্ৰকে নাইকিয়া হয়। ২০ নানা ত্ৰাসে তাক ঢল পানীৰ দৰে আক্ৰণ কৰে। ৰাতি ধুমুহাই অকস্মাতে তাক উড়ুৱাই নিয়ে। ২১ পূবৰ বতাহে তাক তুলি নি স্থানান্তৰ কৰে, আৰু নিজ ঠাইৰ পৰা তাক দূৰৈত পেলাই দিয়ে। ২২ কিয়নো ঈশ্বৰে দয়া নকৰি তালৈ কাঁড় মাৰি থাকিব, সি তেওঁৰ ভয়ত পলাই ফুৰিব। ২৩ লোকে তাক দেখি হাত-তালি দিব, আৰু ছি ছি কৰি তাৰ ঠাইৰ তাক খেদি দিব।

২৮ নিশ্চয়ে ৰূপৰ আকৰ আছে আৰু যি সোণ খপা যায়; সেই সোণৰ
ঠাইও আছে। ২ লোহা মাটিৰ পৰা উলিওৱা হয়, আৰু শিল গলাই তাম
উলিয়ায়। ৩ মানুহে অন্ধকাৰ শেষ কৰে, নিচেই তলিলৈকে খান্দে,
আন্ধাৰ আৰু মৃত্যুচ্ছায়াৰ শিল বিচাৰি উলিয়ায়। ৪ সিহঁতে আকৰ
খান্দি গৈ মানুহ থকা ঠাইৰ পৰা দূৰৈ হয়, আৰু ওপৰত ফুৰা লোকে
সিহঁতৰ গম নাপায়; সিহঁতে মানুহৰ পৰা দুৰৈত ওলমি জুলি থাকে। ৫
যি পৃথিৱীৰ পৰা শস্য উৎপন্ন হয়, তাৰ তল ভাগ জুইৰ দ্বাৰাই লণ্ডভণ্ড
কৰাৰ নিচিনা। ৬ তাৰ শিলবোৰ নীলকান্ত বাখৰ থকা ঠাই, আৰু গুড়ি
সোণ তাত আছিল। ৭ সেই পথ হিংসক পক্ষীয়ে নাজানে, আৰু শেনৰ
চকুৱেও তাক নেদেখে। ৮ গৰ্ব্বী হিংসুক জন্তুবোৰে তাত খোজ দিয়া
নাই, আৰু সিংহও সেই ফালেদি যোৱা নাই। ৯ মানুহে অতি টান
শিলত হাত দিয়ে; সি পৰ্ব্বতবোৰ মূলে সৈতে লুটিয়াই পেলায়। ১০
সি শিলৰ মাজে মাজে নলা কাটে, আৰু তাৰ চকুৱে সকলো বিধৰ
বহুমূল্য বস্তু দেখা পায়। ১১ সি জুৰিবোৰ পানী এটোপাও সৰকিব
নোৱাৰাকৈ ভেটে, আৰু গুপুতে থকা বস্তু পোহৰলৈ উলিয়ায়। ১২
কিন্তু জ্ঞান ক’ত পোৱা যায়? আৰু সুবিবেচনাৰ ঠাই বা ক’ত? ১৩
মনুষ্যই তাৰ মূল্য নাজানে, আৰু জীৱিতসকলৰ দেশত তাক পোৱা
নাযায়। ১৪ অগাধ জলে কয়, এইটি মোত নাই, আৰু সাগৰে কয়,
মোৰ ইয়াতো নাই। ১৫ শুদ্ধ সোণ দিওঁ তাক পোৱা নাযায়, আৰু
তাৰ বেচ বুলি ৰূপকো জুখি দিব নোৱাৰি। ১৬ ওফীৰৰ সুবৰ্ণ আৰু
বহুমূল্য বৈদূৰ্য্য, আৰু নীলকান্ত বাখৰও জোখত তাৰ সমান নহয়।
১৭ সোণ আৰু আৰ্চি তাৰ তুল্য হ’ব নোৱাৰে, আৰু তাৰ সলনি শুদ্ধ
সোণৰ অলঙ্কাৰবোৰকো দিব নোৱাৰি। ১৮ তাৰ আগত পোৱাল আৰু
স্ফটিকৰো নাম লব নোৱাৰি, এনে কি, পদ্মৰাগ বাখৰতৈকয়ো জ্ঞানৰ
মূল্য অধিক। ১৯ কুচ দেশীয় গোমেদক বাখৰও তাৰ তুল্য নহয়, আৰু
জোখত শুদ্ধ সোণো তাৰ সমান নহয়। ২০ তেন্তে জ্ঞান ক’ৰ পৰা
আহে? আৰু সুবিবেচনাৰ ঠাই বা ক’ত? ২১ এইটো সকলো প্ৰাণীৰ
চকুৰ পৰা গুপ্ত, আৰু আকাশৰ পক্ষীৰ পৰাও অদৃশ্য। ২২ বিনাশ
আৰু মৃত্যুৱে কয়, আমি নিজ কাণে সেই বিষয়ে ঘুনুক-ঘানাককৈহে

শুনিছোঁ। ২৩ তাৰ পথ ঈশ্বৰেহে জানে, আৰু তাৰ ঠাই তেওঁৰহে জনা
আছে। ২৪ কিয়নো তেওঁ পৃথিবীৰ অন্তলৈকে দেখে, আৰু আকাশ-
মণ্ডলৰ তলৰ আটাই ঠাইলৈকে তেওঁৰ চকু যায়। ২৫ তেওঁ যেতিয়া
বায়ুৰ গুৰুত্ব নিৰূপণ কৰিলে, যেতিয়া পৰিমান অনুসাৰে জল সমূহ
জুখি জুখি দিলে, ২৬ যেতিয়া তেওঁ বৃষ্টিৰ নিয়ম নিৰূপণ কৰিলে, আৰু
মিঘ-গৰ্জ্জনৰ সৈতে ওলোৱা বিজুলীৰ পথ স্থিৰ কৰিলে, ২৭ তেতিয়া
তেওঁ জ্ঞানক দেখিলে, আৰু প্ৰকাশ কৰিলে, তেওঁ তাক স্থাপন কৰিলে,
আৰু তাৰ তদন্তও কৰিলে; ২৮ আৰু তেওঁ মনুষ্যক কলে, চোৱা, প্ৰভুলৈ
ভয় ৰখাই জ্ঞান, আৰু কুকৰ্ম ত্যাগ কৰাই সুবিবেচনা।

**২৯** পাছত ইয়োবে আকৌ কথা উত্থাপন কৰিলে আৰু ক'লে, ২ অস,
আগৰ মাহ কেইটাত, যি কালত মোৰ ওপৰত ঈশ্বৰে দৃষ্টি ৰাখিছিল, ৩
যি কালত মোৰ মূৰৰ ওপৰত তেওঁৰ প্ৰদীপ জ্বলি আছিল, আৰু মই
তেওঁৰ পোহৰৰ বলত অন্ধকাৰৰ মাজতো ফুৰিছিলোঁ, সেই কালত মই
যেনেকৈ আছিলোঁ, ৪ যি কালত ঈশ্বৰৰ বন্ধুতাই মোৰ তম্বু ৰাখিছিল,
৫ সেই কালত সৰ্ব্বশক্তিমান জনা মোৰ লগত থাকিছিল, আৰু মোৰ
পো-জীবিলাক মোৰ চাৰিওফালে আছিল, ৬ যি কালত মই গাখীৰৰ
ওপৰতহে খোজ কাঢ়িছিলোঁ, আৰু শিলে মোন নিমিত্তে তেলৰ সোঁত
বোৱাইছিল; মোৰ সেই পূৰ্ণ যৌৱনৰ কালত মই যেনেকৈ আছিলোঁ,
তেনেকৈ এতিয়াও মই থকা হলে, কেনে ভাল আছিল! ৭ যেতিয়া
মই নগৰলৈ গৈ ৰাজদুৱাৰত উপস্থিত হৈছিলোঁ, চকত মোৰ আসন
যুগুত কৰিছিলোঁ, ৮ তেতিয়া ডেকাসকলে মোক দেখি লুকাইছিল,
আৰু বৃদ্ধসকল উঠি থিয় হৈছিল; ৯ প্ৰধান লোকসকলে কথা কবলৈ
এৰি, নিজ নিজ মোখত হাত দিছিল; ১০ ডাঙৰীয়াবিলাকে তালুত
জিভা লগাই মনে মনে আছিল। ১১ কিয়নো লোকে কাণেৰে শুনি মোক
ধন্য বুলিছিল, আৰু চকুৰে দেখি মোৰ পক্ষে সাক্ষ্য দিছিল। ১২ কাৰণ
কাতৰোক্তি কৰা দৰিদ্ৰক মই উদ্ধাৰ কৰিছিলোঁ, আৰু সহায় নথকা
পিতৃহীনক মই ৰক্ষা কৰিছিলোঁ। ১৩ বিনষ্ট হবলগীয়া মানুহৰ আশীৰ্ব্বাদ
মোৰ ওপৰত পৰিছিল; মই বাঁৰী তিৰোতাৰ মন উল্লাসিত কৰিছিলোঁ।
১৪ মই ধাৰ্মিকতাক পিন্ধিছিলোঁ, আৰু ধাৰ্মিকতাই মোক পিন্ধিছিল,

আৰু মোৰ ন্যায়পৰায়ণতা গুণ মোৰ দমা চোলা আৰু পাগুৰিস্বৰূপ
আছিল। ১৫ মই অন্ধৰ চকু আছিলোঁ; আৰু খোৰাৰ ভৰি আছিলোঁ। ১৬
মই দৰিদ্ৰবিলাকৰ পিতৃ আছিলোঁ। আৰু মই চিনি নোপোৱা মানুহৰো
বিচাৰ লৈছিলোঁ। ১৭ মই দুৰাচাৰী লোকৰ জামু দাঁত ভাঙিছিলোঁ,
আৰু তাৰ চিকাৰ তাৰ দাঁতৰ মাজৰ পৰা উলিয়াইছিলো। ১৮ তেতিয়া
মই ভাবিছিলোঁ যে, মই নিজ বাঁহত মৰিম, মোৰ দিন বালিৰ দৰে
অসংখ্য হব; ১৯ আৰু পানী সোমাবলৈ মোৰ শিপা মুকলি হৈ থাকিব,
আৰু নিয়ৰ মোৰ ডালত ওৰে ৰাতি পৰি লাগি থাকিব; ২০ মোৰ নাম-
মৰ্য্যদাও মোত সতেজ হৈ থকিব, আৰু মোৰ ধনু মোৰ হাতত সদায়
নতুনে থাকিব। ২১ লোকবিলাকে মোলৈ কাণ পাতি বাট চাইছিল,
আৰু পৰামৰ্শ শুনিবলৈ নিমাত হৈ থাকিছিল। ২২ মোৰ কথাৰ শেষত
সিবিলাকৰ কোনেও উত্তৰ নকৰিছিল; মোৰ বাক্য সিবিলাকৰ ওপৰত
নিয়ৰৰ দৰে পৰিছিল। ২৩ বৰষুণলৈ অপেক্ষা কৰাৰ দৰে সিবিলাকে
মোলৈকো অপেক্ষা কৰিছিল, আৰু শেষতীয়া বৰষুণলৈ মুখ মেলাৰ দৰে
সিবিলাকে মুখ মেলিছিল। ২৪ সিবিলাক নিৰাশ হলে মই সিবিলাকলৈ
মিচিকিয়াই হাঁহিছিলোঁ, আৰু সিবিলোকে মোৰ মুখৰ দীপ্তি নোগুচালে।
২৫ মই সিবিলাকৰ নিমিত্তে পথ মনোনীত কৰি প্ৰধান হৈ বহিছিলো,
আৰু সৈন্যদলৰ মাজত ৰজাৰ দৰে থাকিছিলোঁ, আৰু শোকাতুৰৰ
মাজত শান্ত্বনাকাৰীৰ দৰে আছিলোঁ।

৩০ কিন্তু এতিয়া যিবিলাকৰ বাপেকহঁতক, মোৰ মেৰৰ জাক ৰখা
কুকুৰৰ লগতো থবলৈ মই হেয়জ্ঞান কৰিছিলোঁ, মোতকৈ কম বয়সীয়া
সেই মানুহবিলাকে মোক হাঁহে। ২ যিবিলাকৰ শক্তি নষ্ট হল, এনে
লোকৰ হাতৰ বলত নো মোৰ কি উপকাৰ হব? ৩ সিহঁত অন্নৰ
অভাৱত ভোকত ক্ষীণ হয়; সিহঁতে বহু কালৰ পৰা উচ্ছন্ন আৰু ধ্বংস
হোৱা মৰুভূমি কামুৰি খায়। ৪ আৰু জোপোহাৰ কাষত সিহঁতে মল্লু
শাক ছিঙে, আৰু ৰোতম গছৰ মূল সিহঁতৰ খোৱা বস্তু। ৫ সিহঁতক
মানুহৰ মাজৰ পৰা খেদি দিয়া হয়; চোৰৰ পাছে পাছে চিঞৰাৰ দৰে
লোকে সিহঁতৰ পাছতো চিঞৰে। ৬ সিহঁতে উপত্যকাৰ ভয়ানক ঠাইত
থাকিব লগা হয়, মাটিৰ গাতত আৰু শিলৰ মাজত বাস কৰিব লগা

হয়। ৭ সিহঁতে জোপোহা গছবোৰৰ মাজত গাধৰ দৰে চিঞৰে, আৰু
কাঁইট গছৰ তলত গোট খায়। ৮ সিহঁত মূৰ্খৰ সন্তান, এনে কি নীহ
মানুহৰ সন্ততি; সিহঁতক দেশৰ মাজৰ পৰা কোবাই খেদি দিয়া হল।
৯ এতিয়া মই সিহঁতৰ গানৰ বিষয় হৈছোঁ, এনে কি সিহঁতৰ গল্পৰ
বিষয়ো হৈছোঁ। ১০ সিহঁতে মোক ঘিণ কৰে, আৰু মোৰ পৰা আতৰত
থাকে, আৰু মোৰ আগত থু পেলাবলৈ ভয় নকৰে। ১১ কিয়নো ঈশ্বৰে
তেওঁৰ ধনুৰ জোঁৰ এৰি দিলে আৰু মোক দুখ দিলে; সেই কাৰণে
সিহঁতে মোৰ আগত নিজ নিজ মুখৰ লাগাম পেলাই দিয়ে। ১২ মোৰ
সোঁফালে নীহ লোকবিলাক উঠে; সিহঁতে মোৰ ভৰি ঠেলি ঠেলি দিয়ে,
আৰু মোৰ বিৰুদ্ধ নিজ নিজ বিনাশক গড় নৰে। ১৩ সিহঁতে মোৰ
বাট বন্ধ কৰি পেলায়; নি: সহায় লোকেও মোৰ বিনাশৰ চেষ্টা কৰে।
১৪ গড় ভাঙি উলিওৱা বহল বাটেদি যেনেকৈ শত্ৰু আহে, সিহঁতেও
তেনেকৈ আহে; সেই ভঙাইদি সোমাই সিহঁতে মোক আক্ৰমণ কৰে।
১৫ নানা ত্ৰাসে মোক ধৰিছে; বতাহৰ দৰে মোৰ মান-মৰ্য্যদা সেইবোৰে
উড়ুৱাই নিছে; আৰু মোৰ মঙ্গল মেঘৰ নিচিনাকৈ নাইকিয়া হৈছে। ১৬
সম্প্ৰতি মোৰ অন্তৰত মোৰ হৃদয় মুখত দ্ৰৱীভূত হৈছে, আৰু মোৰ
ক্লেশৰ দিনে মোক ধৰিছে। ১৭ ৰাতি হাড়বোৰ মোৰ গাৰ পৰা সুলকি
পৰা যেন লাগে, আৰু যিবোৰে মোক কামোৰে, সেইবোৰে টোপনি
নাযায়। ১৮ ৰোগ প্ৰবল হোৱাত মোৰ বস্ত্ৰ কুৰূপ হৈছে; সেয়ে মোৰ
গাৰ চোলাৰ ডিঙিৰ নিচিনাকৈ মোত আট খাই ধৰিছে। ১৯ ঈশ্বৰে
মোক বোকাত পেলাই দিছে, মই ধুলি আৰু ছাঁই যেন হৈছোঁ। ২০ মই
তোমাৰ আগত কাতৰোক্তি কৰোঁ, কিন্তু তুমি মোক উত্তৰ নিদিয়া;
মই থিয় হৈ থাকোঁ, কিন্তু তুমি মোলৈ চাই থাকা মাথোন। ২১ তুমি
মোলৈ নিৰ্দ্দয় হৈ উঠিছা, আৰু তুমি তোমাৰ হাতৰ বলেৰে মোক তাড়না
কৰিছা, ২২ তুমি মোক বতাহত তুলি দি ফুৰাইছা, আৰু ধুমুহাত মোক
লীন নিয়াইছা। ২৩ কিয়নো মই জানো, যে, তুমি মোক মৃত্যুলৈ নিছা,
আৰু সকলো জীয়া লোকৰ নিৰূপিত ঘৰলৈ মোক লৈ গৈছা। ২৪ তথাপি
পৰিবলৈ ধৰোঁতে কোনে নো হাত নেমেলে? আৰু আপদত থকা স্তলত
ৰক্ষা পাবৰ নিমিত্তে কোনে নিচিঞৰে? ২৫ দুৰ্গতিত পৰা লোকৰ

নিমিত্তে মই ক্রন্দন নকৰিছিলোঁ নে? আৰু দীনহীনৰ নিমিত্তে মনত দুখ
নাপাইছিলোঁ নে? ২৬ মই মঙ্গললৈ বাট চাওঁতে চাওঁতে অমঙ্গলহে
ঘটিল, আৰু পোহৰলৈ অপেক্ষা কৰোঁতে কৰোঁতে আন্ধাৰহে হল। ২৭
মোৰ অন্তৰ খতি নোহোৱাকৈ পুৰিছে; দুখৰ দিনসমুহ মোৰ ওচৰত
উপস্থিত হৈছে। ২৮ মই বিনা ৰ'দে ক'লা হৈ ফুৰিছো, আৰু সমাজৰ
মাজত থিয় হৈ সহায় পাবলৈ মিনতি কৰিছোঁ। ২৯ মই শিয়ালবোৰৰ
ভাই, আৰু উট পক্ষীৰ বন্ধু হলোঁ। ৩০ মোৰ গাৰ ছাল ক'লা হৈ এৰাই
পৰিছে, আৰু তাপত মোৰ হাড়বোৰত পোৰণি ধৰিছে। ৩১ সেই দেখি
মোৰ বীণাৰ মাত শোকৰ শব্দত পৰিণত হৈছে, আৰু মোৰ বাঁহীৰ স্বৰ
সলনি হৈ ক্রন্দনকাৰীসকলৰ মাত হৈছে।

**৩১** মই মোৰ চকুৰে সৈতে নিয়ম স্থাপন কৰিলোঁ; তেন্তে মই
ছোৱালীলৈ কেনেকৈ চোৱা হলোঁ? ২ কিয়নো উৰ্দ্ধবাসী ঈশ্বৰে দিয়া
ভাগ কি? আৰু ওপৰত থকা সৰ্ব্বশক্তিমান জনাৰ পৰা পোৱা অংশ
কি? ৩ সেয়ে জানো অধৰ্মিবোৰৰ নিমিত্তে আপদ, আৰু কুকৰ্মীবোৰৰ
নিমিত্তে দুৰ্গতি নহয়? ৪ তেন্তে তেওঁ মোৰ কোনো পথ নেদেখে নে?
আৰু মোৰ আটাই খোজ তেওঁ গণনা নকৰে নে? ৫ মই যদি মিছাত
চলিলোঁ, আৰু মোৰ ভৰি প্ৰবঞ্চনা পথলৈ লৰ ধৰিলে, ৬ (ঈশ্বৰে মোৰ
সিদ্ধতা জানিবৰ নিমিত্তে, মোক ঠিক তৰ্জুত জোখক; ) ৭ মই যদি
অবাটে খোজ চলালোঁ, মোৰ মন যদি চকুৰ পাছে পাছে চলিল, আৰু
মোৰ হাত দুখনত যদি কোনো দাগ লাগি আছে, ৮ তেন্তে মই সিচিলে
অন্যে খাওক, এনে কি, মোৰ পথাৰত গজা শস্যবোৰো উঘলা হওক।
৯ মই যদি পৰৰ তিৰোতাত মোহ গলোঁ, আৰু চুবুৰীয়াৰ দুৱাৰৰ গুৰিত
যদি মই লুকাই থাকিলোঁ, ১০ তেন্তে মোৰ তিৰোতাই অন্যৰ নিমিত্তে
জাঁত ঘুৰাওক, আৰু অন্য লোকে তাইক ভোগ কৰক। ১১ কিয়নো
সেয়ে গৰ্হিত কাৰ্য, আৰু বিচাৰকৰ্ত্তাবিলাকে দণ্ড দিব লগীয়া অপৰাধ;
১২ কাৰণ সেয়ে বিনাশৰ গাতলৈকে দহি থকা অগ্নি; সেয়ে মোৰ
সৰ্ব্বস্ব বিনষ্ট কৰিলেহেঁতেন। ১৩ মোৰ বন্ধী কি বেটীয়ে মোৰ আগত
অভিযোগ কৰিলত, মই যদি সিহঁতৰ বিচাৰলৈ হেয়জ্ঞান কৰিলোঁ, ১৪
তেন্তে ঈশ্বৰ উঠিলে মই কি কৰিম? আৰু তেওঁ বুজ-বিচাৰ ললে, মই

তেওঁক কি উত্তৰ দিম? ১৫ মোক গৰ্ভত নিৰ্ম্মাণ কৰা জনাই জানো তাকো নিৰ্ম্মাণ কৰা নাই? আৰু এনে জনাই জানো আমাক গৰ্ভত গঠন কৰা নাই? ১৬ মই যদি দুখীয়া লোকক সিহঁতৰ ইচ্ছা পূৰ কৰিবলৈ নিবাৰণ কৰিলোঁ, আৰু বিধৱাৰ চকু জলকা লগালোঁ, ১৭ যদি বা মোৰ খোৱা মুঠি অকলেই খালো, আৰু পিতৃহীন ল'ৰাই তাৰ অলপো খাবলৈ নাপালে, ১৮ (এনে নহয়, মোৰ ডেকা কালৰ পৰা এনেকুৱা লৰাই বাপেকৰ লগত থকাৰ দৰে মোৰ লগত ডাঙৰ-দীঘল হয়, আৰু মই মাতৃৰ গৰ্ভত থকাৰে পৰা বিধৱাৰ পথদৰ্শক; ) ১৯ যদি মই কোনোক বস্ত্ৰৰ অভাৱত মৰিব লগা দেখিলোঁ, বা দুখীয়াক গাত লবলৈ কাপোৰ নাইকিয়া দেখিলোঁ, ২০ তাৰ ককালে যদি মোক আশীৰ্ব্বাদ নকৰালে, আৰু মোৰ মেৰৰ নোমৰ পৰা সি ফল নাপালে, ২১ আৰু নগৰৰ দুৱাৰত মোৰ ফলিয়া মানুহ দেখি, যদি মই পিতৃহীনৰ অহিতে হাত ডাঙিলোঁ, ২২ তেন্তে মোৰ বাবিচনীৰ হাড়ৰ পৰা মোৰ কান্ধ খহি পৰক, আৰু মোৰ বাহু হাড়ডালৰ পৰা ভাগি পৰক। ২৩ কিয়নো ঈশ্বৰৰ পৰা আপদ আহিব বুলি মই ভয় কৰিছিলোঁ, আৰু মই তেওঁৰ মহত্ত্বৰ কাৰণে সেইৰূপ কৰ্ম কৰিব নোৱাৰিলোঁ, ২৪ মই যদি সুবৰ্ণক মোৰ বিশ্বাস-ভূমি কৰিলোঁ, আৰু “তুমি মোৰ আশ্ৰয়” এনে কথা যদি শুদ্ধ সোণক কলোঁ, ২৫ মোৰ সম্পত্তি অধিক বুলি যদি আনন্দ কৰিলোঁ, আৰু নিজ হাতেৰে অনেক লাভ পাইছোঁ, বুলি যদি মই উল্লাস কৰিলোঁ, ২৬ মই সুৰ্য্যক দীপ্তি দিয়া, বা চন্দ্ৰক উজ্জ্বলৰূপে আকাশত গমন কৰা দেখি, ২৭ যদি মোৰ মন গুপুতে মোহ গল, আৰু সেই দুয়োৰো উদ্দেশ্যে মোৰ মুখে হাতত চুমা খালে, ২৮ তেন্তে ইও, বিচাৰকৰ্ত্তাবিলাকে দণ্ড দিব লগীয়া অপৰাধ হলহেঁতেন; কিয়নো সেয়ে হোৱা হলে মই উৰ্দ্ধবাসী ঈশ্বৰৰ আগত অস্বীকাৰ কৰিলোহেঁতেন। ২৯ মোক ঘিণাওঁতাৰ আপদত মই যদি আনন্দ কৰিলোঁ, আৰু সি দুৰ্দ্দশাত পৰা দেখি মই উল্লাস হলোঁ, ৩০ (এনে নহয়, তাক মৰাবলৈ শাও দিয়াৰ দ্বাৰা মোৰ মুখকো পাপ কৰিবলৈ মই দিয়া নাই; ) ৩১ তেওঁ দিয়া মাংস খাই তৃপ্ত নোহোৱা কোন আছে? এই বুলি মোৰ তম্বুৰ মানুহবোৰে যদি কোৱা নাই, ৩২ (বিদেশীয়ে বাটত ৰাতি কটোৱা নাই, কিন্তু মই পৰ্থিকৰ অৰ্থে দুৱাৰ

মেলি থৈছিলোঁ, )  ৩৩ মই অনেক লোক সমূহক ভয় কৰাৰ, আৰু
প্ৰধান প্ৰধান বংশৰ ঘৃণা আশঙ্কা কৰাৰ কাৰণে মনে মনে থাকি দুৱাৰৰ
বাহিৰলৈ নগৈ,  ৩৪ নিজ হিয়াত মোৰ অধৰ্ম লুকুৱাই ৰাখি, যদি মই
আদমৰ নিচিনাকৈ মোৰ অপৰাধ ঢাকি থলোঁ, -  ৩৫ অস, মোৰ কথা
শুনিবলৈ এজন থকা হলে কেনে ভাল আছিল! চোৱা, এইয়া মোৰ চহিৰ
চিন, সৰ্ব্বশক্তিমান জনাই মোক উত্তৰ দিয়ক; অস, মোৰ প্ৰতিবাদীয়ে
লিখা দোষৰ পত্ৰ মোৰ ইয়াত থকা হলে, কেনে ভাল আছিল!  ৩৬
অৱশ্যে মই তাক মোৰ কান্ধত বলোহেঁতেন, আৰু ৰাজমুকুট বুলি
মোৰ মূৰত পিন্ধিলোহেঁতেন,  ৩৭ তেওঁৰ আগত মোৰ খোজৰ সংখ্যা
দনালোহেঁতেন, আৰু ৰাজকোঁৱৰৰ দৰে তেওঁৰ ওচৰলৈ গলোহেঁতেন।
৩৮ মোৰ মাটিয়ে যদি মোৰ অহিতে চিঞঁৰ মাৰে, আৰু তাৰ আটাই
সিৰলুবোতে যদি কান্দে,  ৩৯ মই যদি ধন নিদিয়াকৈ সেই মাটিৰ ফল
ভোগ কৰিলোঁ, বা তাৰ গৰাকীবিলাকৰ প্ৰাণ হানি কৰিলোঁ,  ৪০ তেন্তে
মোৰ ঘেহুঁৰ সলনি কাঁইট, আৰু যৱৰ সলনি বন গজক। ইয়োবৰ বাক্য
সমাপ্ত।

**৩২** ইয়োবে নিজৰ দৃষ্টিত নিজকে ধাৰ্মিক বুলি মনাত, সেই তিনিজনে
তেওঁক উত্তৰ দিবলৈ এৰিলে।  ২ এতিয়া ৰামৰ গোষ্ঠীৰ বূজীয়া
বৰখেলৰ পুত্ৰ ইলীহুৰ ক্ৰোধ জ্বলি উঠিল; ইয়োবে ঈশ্বৰক ধাৰ্মিক
নাপাতি নিজকে পতাৎেহ তেওঁৰ ওপৰত ইলীহুৰ ক্ৰোধ জ্বলি উঠিল।
৩ আৰু বন্ধু তিনি জনে ইয়োবক উত্তৰ দিব নোৱাৰিও তেওঁক দোষী
কৰাত, তেওঁলাকলৈকো ইলীহুৰ ক্ৰোধ জ্বলি উঠিল।  ৪ তেওঁবিলাক
ইলীহুতৈক বয়সত ডাঙৰ দেখি, ইলীহুৱে ইয়োবক কথা কবলৈ বাট
চাইছিল।  ৫ পাছে সেই তিনিজন লোকৰ মুখত উত্তৰ নোহোৱা
দেখি, ইলীহুৰ ক্ৰোধ জ্বলি উঠিল।  ৬ তাতে বূজীয়া বৰখেলৰ পুত্ৰ
ইলীহুৱে উত্তৰ কৰি কলে, মই ডেকা, তোমালোক বুঢ়া; এই নিমিত্তে,
মই তোমালোকৰ আগত মোৰ মত জনাবলৈ, ভয় কৰি কোঁচ খাই
আছিলোঁ।  ৭ মই মনতে কৈছিলোঁ, বহুদিনিয়া লোকেই কওক, আৰু
অধিক বয়সীয়া লোকেই জ্ঞান শিক্ষা দিয়ক।  ৮ কিন্তু মনুষ্যৰ অন্তৰত
আত্মা আছে, সৰ্ব্বশক্তিমান জনাৰ নিশ্বাসে সিহঁতক বিবেচনা কৰে।

৯ বৰ বৰ লোক যে জ্ঞানী, এনে নহয়; আৰু বৃদ্ধবিলাকেই যে বিচাৰ
বুজে, সিও নহয়। ১০ এই হেতুকে মই কওঁ, মোলৈ কাণ পাতা; মইও
মোৰ মত প্ৰকাশ কৰোঁ। ১১ চোৱা, যেতিয়ালৈকে তোমালোকে কথা
বিচাৰিছিলা, তেতিয়ালৈকে মই তোমালোকৰ বাক্যলৈ বাট চাইছিলোঁ,
তোমালোকৰ হেতুবাদলৈ কাণ পাতিছিলোঁ। ১২ মই তোমালোকলৈ মন
দি আছিলোঁ, কিন্তু চোৱা, ইয়োবক ঘটুৱাব পৰা, বা তেওঁৰ উত্তৰ কাটিব
পৰা, তোমালোকৰ মাজত কোনো নাছিল। ১৩ সাৱধান, তোমালোকে
নকবা যে, "তেওঁত আমি জ্ঞান পালোঁ; তেওঁক পৰাজয় কৰা ঈশ্বৰহে
সাধ্য, মানুহৰ অসাধ্য;" ১৪ কিয়নো তেওঁ মোৰ অহিতে কথা কোৱা
নাই; আৰু মইও তোমালোকৰ কথাৰে তেওঁক উত্তৰ নিদিম। ১৫
তোমালোকে তধা লাগিল, উত্তৰ নিদিয়ে আৰু; তেওঁবিলাকৰ কবলৈকে
কথা নাইকিয়া হল। ১৬ মই আৰু কিয় বাট চাম? তেওঁবিলাকে কথা
নকয়; তেওঁবিলাকে ঠৰ লাগি ৰল, উত্তৰ নিদিয়ে আৰু। ১৭ মইও নিজৰ
পক্ষে উত্তৰ দিম; মইও নিজৰ মন জনাম। ১৮ কিয়নো মই কথাৰে
পৰিপূৰ্ণ, মোৰ অন্তৰত থকা আত্মাই মোক বল কৰিছে। ১৯ চোৱা,
মোৰ পেট বন্ধ কৰি থোৱা দ্ৰাক্ষা ৰসৰ নিচিনা। সেয়ে নতুন ৰসৰ
মোটৰ দৰে ফাটি যাওঁ যাওঁ হৈছে। ২০ মই উপশম পাবৰ নিমিত্তে
কথা কম; মই মুখ মেলি উত্তৰ কৰিম। ২১ মই কাৰো মুখলৈ নাচাম,
আৰু মই কাকো খুচামোদ নকৰিম। ২২ কিয়নো মই খুচামোদ কৰিব
নাজানো; কৰিলে, মোৰ সৃষ্টিকৰ্ত্তাই শীঘ্ৰে মোক ইহলোকৰ পৰা লৈ
যাব।

৩৩ যি হওক, হে ইয়োব, মিনতি কৰোঁ, মোৰ কথা শুনা, আৰু মোৰ
সকলো বাক্যলৈ কাণ পাতা। ২ চোৱা, মই এতিয়া মুখ মেলিলোঁ;
মোৰ মুখত থকা জিভাই কথা কৈছে। ৩ মোৰ বাক্যই মোৰ মনৰ
সৰলতা প্ৰকাশ কৰিব, মোৰ ওঁঠে যি জানে, তাক অকপটভাবে কব।
৪ ঈশ্বৰৰ আত্মাইহে মোক নিৰ্ম্মাণ কৰিলে, আৰু সৰ্ব্বশক্তিমান জনাৰ
নিশ্বাসেহে মোক জীৱন দিছে। ৫ তুমি যদি পাৰা, তেন্তে মোক উত্তৰ
দিয়া; মোৰ আগত কথা কোৱা, উঠি থিয় হোৱা। ৬ চোৱা, ঈশ্বৰৰ
দৃষ্টিত মইও তোমাৰ নিচিনা; মইও মৃত্তিকাৰে নিৰ্ম্মিত হৈছোঁ। ৭

চোৱা, মোৰ ভয়ানকতাই তোমাক ভয় নলগাব, আৰু মোৰ কথাৰ
ভাৰো তোমালৈ গধুৰ নহব। ৮ বাস্তৱিক তুমি মোৰ কাণে শুনাকৈ
কথা কলা; তুমি কথা কোৱা মই শুনিলোঁ। ৯ তুমি কলা, “মই শুচি,
মই নিৰপৰাধী, মই নিষ্কলঙ্ক, মোত কোনো দোষ নাই। ১০ চোৱা,
তেওঁ মোৰ অহিতে ছিদ্ৰ বিচাৰে, তেওঁ মোক শত্ৰু যেন জ্ঞান কৰে;
১১ তেওঁ মোৰ ভৰি কুন্দাত বন্ধ কৰিছে; তেওঁ মোৰ সকলো পথত
চকু দিয়ে। ১২ চোৱা, মই তোমাক উত্তৰ দিওঁ, এই বিষয়ত তোমাৰ
কথা ন্যায় নহয়; কিয়নো মনুষ্যতৈক ঈশ্বৰ মহান। ১৩ তুমি তেওঁৰে
সৈতে কিয় বিবাদ কৰিছা? কিয়নো তেওঁ নিজৰ কাৰ্যবোৰৰ এটিৰো
নেদেখুৱায়। ১৪ তথাপি ঈশ্বৰে এক প্ৰকাৰে কথা কয়, এনে কি, দুই
প্ৰকাৰেও কথা কয়; কিন্তু মানুহে তালৈ মন নিদিয়ে। ১৫ যেতিয়া
মানুহবিলাক ঘোৰ নিদ্ৰাত মগ্ন হৈ শয্যাত পৰি টোপনি যায়, তেতিয়া
তেওঁ সপোনত ৰাতিৰ দৰ্শনত কথা কয়। ১৬ এই দৰে, মানুহক কু-
কাৰ্যৰ পৰা এৰুৱাবৰ নিমিত্তে, মানুহৰ পৰা অহংকাৰ গুপ্ত ৰাখিবৰ
নিমিত্তে, ১৭ গাৰ পৰা তাৰ জীৱাত্মা ৰক্ষা কৰিবৰ নিমিত্তে, আৰু অস্ত্ৰৰ
দ্বাৰাই বিনষ্ট নোহোৱাকৈ তাৰ প্ৰাণ ৰাখিবৰ নিমিত্তে, ১৮ তেওঁ সেই
সময়ত মানুহৰ কাণ মুকলি কৰি দিয়ে, আৰু সিবিলাকক দিয়া শিক্ষা
মোহৰ মাৰে। ১৯ সি নিজ শয্যাত বেদনাৰ দ্বাৰাই শাস্তি পায়, আৰু
তাৰ হাড়বোৰৰ মাজত যেন সদায় যুদ্ধ লাগিছে, এনে শাস্তি ভোগ
কৰে, ২০ তাতে তাৰ প্ৰাণে আহাৰ ঘিণ কৰে, আৰু সুস্বাদু খাদ্যলৈ
তাৰ জীৱাত্মাৰ অৰুচি জন্মে। ২১ তাৰ মাংস ক্ষয় পায় অদৃশ্য হয়, আৰু
আগেয়ে নেদেখা হাড়বোৰ জকজককৈ ওলাই পৰে; ২২ এনে কি, তাৰ
জীৱাত্মা গাতৰ ওচৰ চাপে, আৰু তাৰ প্ৰাণে সংহাৰকবোৰৰ গুৰি পায়।
২৩ মানুহক যথাৰ্থ পথ দেখুৱাবৰ নিমিত্তে, তাৰ পক্ষে যদি হাজাৰৰ
ভিতৰত এজন দুত মধ্যস্থ থাকে, ২৪ তেন্তে তেওঁ তালৈ কৃপা কৰি
কব, “গাতলৈ যোৱাৰ পৰা তাক মুক্ত কৰা, মই প্ৰায়শ্চিত্ত পালোঁ।
২৫ তাৰ গা লৰাতৈকয়ো চিকণ হব; সি পুনৰ্ব্বাৰ যৌৱনকাল পাব।
২৬ সি ঈশ্বৰৰ আগত প্ৰাৰ্থনা কৰিলে, তেওঁ তালৈ প্ৰসন্ন হব; তাতে
সি তেওঁৰ মুখ আনন্দেৰে দেখিব, আৰু তেওঁ মানুহক তাৰ ধাৰ্মিকতা

ওলোটাই দিব। ২৭ সি মানুহৰ আগত গীত গাই কব, "আমি পাপ
কৰিলোঁ, ন্যায়ৰ বিপৰীতে চলিলোঁ; তথাপি মই তাৰ উচিত ফল পোৱা
নাই। ২৮ গাতলৈ যোৱাৰ পৰা তেওঁ মোৰ জীৱাত্মা মুক্ত কৰিলে, আৰু
মোৰ প্ৰাণ পোহৰত আনন্দিত হব।" ২৯ চোৱা, মানুহক জীৱন স্বৰূপ
পোহৰেৰে আলোকিত কৰিবৰ নিমিত্তে, তাৰ প্ৰাণ বিনাশক গাতৰ পৰা
ওলোটাই আনিবলৈ, ৩০ ঈশ্বৰে মনুষ্যে সৈতে এই সকলো ব্যৱহাৰ
দুবাৰ, এনে কি, তিনি বাৰ কৰে। ৩১ হে ইয়োব, মন দিয়া, মোৰ কথা
শুনা; মনে মনে থাকা, ময়েই কওঁ। ৩২ যদি তোমাৰ কিবা কব লগা
আছে, তেন্তে মোক উত্তৰ দিয়া; কোৱা, কিয়নো মই তোমাক নিৰ্দোষী
কৰিবলৈ বাঞ্ছা কৰোঁ। ৩৩ যদি নাইহে, তেন্তে মোলৈ কাণ পাতি, মনে
মনে থাকা; মই তোমাক জ্ঞান শিক্ষা দিওঁ।

**৩৪** পাছে ইলীহুৱে আৰু উত্তৰ কৰি কলে, ২ হে জ্ঞানী লোকবিলাক,
মোৰ কথা শুনা; হে বিজ্ঞলোকবিলাক, মোলৈ কাণ পাতা। ৩ কিয়নো
জীবাই যেনেকৈ আহাৰৰ আস্বাদ লয়, তেনেকৈ কাণে কথাৰ পৰীক্ষা
কৰে। ৪ আহাঁ, যি ন্যায়, তাক আমি বাচি লওঁহঁক; যি ভাল, তাক আমাৰ
মাজত নিশ্চয় কৰোঁহক। ৫ কিয়নো ইয়োবে কৈছিল, যে, মই ধাৰ্মিক,
তথাপি ঈশ্বৰে মোৰ বিচাৰ অগ্ৰাহ্য কৰিলে; ৬ মই ন্যায়ৱান হলেও,
মিছলীয়া বুলি গণিত হৈছোঁ, বিনাদোষে মোৰ গাত চিকিৎসা কৰিব
নোৱাৰা ঘা লাগিছে। ৭ পানী পি তৃপ্ত হোৱাৰ দৰে বিদ্ৰূপ কৰি তৃপ্ত
হোৱা, ৮ দুৰাচাৰীবোৰৰ লগত ফুৰা, আৰু দুষ্টৰ সঙ্গী হোৱা, ইয়োবৰ
নিচিনা কোন আছে? ৯ কিয়নো তেওঁ কৈছিল, "ঈশ্বৰৰ লগত প্ৰণয়
ৰাখিলে, মানুহৰ একো লাভ নহয়।" ১০ এতেকে হে বিজ্ঞ লোকবিলাক
মোলৈ কাণ পাতা; ঈশ্বৰে যে কুকৰ্ম কৰিব, আৰু সৰ্ব্বশক্তিমান জনাই
যে অন্যায় কৰিব, এইয়ে তেওঁৰ পৰা দুৰা থাকক। ১১ কিয়নো তেওঁ
মানুহৰ কৰ্মৰ দৰে তাক ফল দিয়ে, আৰু যাৰ যেনে আচৰণ, তাৰ তেনে
দশা ঘটাই। ১২ বাস্তৱিক ঈশ্বৰে কুকৰ্ম নকৰে। সৰ্ব্বশক্তিমান জনাই
ন্যায়ৰ বিপৰীত নকৰে। ১৩ তেওঁক পৃথিবীৰ ওপৰত ক্ষমতা কোনে
দিলে? আৰু গোটেইখন জগত কোনে স্থাপন কৰিলে? ১৪ যদি তেওঁ
নিজেই নিজতেই মন দি থাকে, যদি নিজে দিয়া আত্মা আৰু নিশ্বাস

নিজলৈ চপাই নিয়ে, ১৫ তেন্তে সকলো মৰ্ত্ত্য একেবাৰে মৰি যাব, আৰু
মনুষ্য পুনৰায় ধুলি লীন হৈ যাব। ১৬ যদি তোমাৰ বিবেচনা থাকে,
তেন্তে এই কথা শুনা, আৰু মোৰ বাক্যলৈ কাণ পাতা। ১৭ ন্যায় ঘিণ
কৰোঁতাজনে জানো শাসন কৰিব পাৰে? তুমি ধাৰ্মিক আৰু পৰাক্ৰমী
জনাক জানো দোষী কৰিব পাৰা? ১৮ ৰজাক জানো “তুমি অধম,” এই
বুলি কব পাৰি? আৰু সম্ভ্ৰান্ত লোকবিলাকক, “তোমালোকে দুষ্ট,” এই
বুলি জানো কব পাৰি? ১৯ তেন্তে, যি জনাই অধ্যক্ষসকলক মুখলৈ
নাচায়, আৰু দৰিদ্ৰতকৈ ধনীকো উত্তম বুলি জ্ঞান নকৰে, এনে জনাক
কিমান কম পৰিমাণে তাক কব পাৰি! কিয়নো সকলোৱেই তেওঁৰ
হাতেৰে কৰা বস্তু। ২০ সিবিলাক নিমিষতে, এনে কি মাজ নিশাতেই
মৰে; লোকবিলাকে কঁপি কঁপি পৰলোকলৈ গমণ কৰে, আৰু পৰাক্ৰমী
বিলাকক বিনাহাতে কাঢ়ি নিয়া হয়। ২১ কিয়নো তেওঁ মানুহৰ কথাত
চকু দিয়ে, আৰু তাৰ সকলো গতি দেখে। ২২ য’ত দুৰাচাৰীবোৰ
লুকাই থাকিব পাৰে, এনেকুৱা অন্ধকাৰ কি মৃত্যুছায়া নাই। ২৩ যি
স্থলত মনুষ্য বিচাৰৰ অৰ্থে ঈশ্বৰৰ ওচৰলৈ যাব, এনে স্থলত তেওঁ
তাৰ বিষয়ে বৰ চিন্তা কৰিব লগীয়া হয়। ২৪ তেওঁ অনুসন্ধান নকৰি
পৰাক্ৰমীবিলাকক খণ্ড খণ্ড কৰি, আৰু তেওঁবিলাকৰ ঠাইত আন
লোকক স্থাপন কৰে। ২৫ এই হেতুকে তেওঁ তেওঁবিলাকৰ কাৰ্যবোৰ
জানে, আৰু ৰাতিতে সকলো লুটিয়াই পেলায়, তাতে তেওঁবিলাক
চুৰ্ণীকৃত হয়। ২৬ তেওঁ সকলোৰে দেখাতে তেওঁবিলাকক দুৰ্জন বুলি
প্ৰহাৰ কৰে; ২৭ কিয়নো তেওঁবিলাকে তেওঁ পাছে পাছে যাবলৈ এৰি,
আৰু তেওঁৰ এটি পথকো নামানি, ২৮ দৰিদ্ৰৰ কাতৰোক্তি তাৰ আগত
উপস্থিত কৰে, আৰু দুখিত বিলাকৰ কাতৰোক্তি তেওঁৰ কাণত পেলায়।
২৯ তেওঁ শান্তি দিলে কোনে তেওঁক দোষ দিব পাৰে? ৩০ অধৰ্মি
লোকে যেন ৰাজত্ব নকৰে; আৰু প্ৰজাবিলাকক ফান্দত পেলাবলৈ যেন
কোনো নাথাকে, এই নিমিত্তে, জাতিৰ পৰাই হওক, বা মানুহৰ পৰাই
হওক, তেওঁ মুখ ঢাকিলে কোনে তেওঁৰ দৰ্শন পাব পাৰে? ৩১ “মই
শাস্তি ভোগ কৰিলোঁ, মই আৰু অধৰ্ম আচৰণ নকৰোঁ;” ৩২ যি নেদেখোঁ,
তাক মোক দেখুৱাই দিয়া; যদি মই অন্যায় কৰিলোঁ, তেন্তে মই আৰু

নকৰোঁ, “এই বুলি ঈশ্বৰৰ আগত কোৱা উচিত নে? ৩৩ ঈশ্বৰে দিয়া
প্ৰতিফল তোমাৰ ইচ্ছাৰ দৰে হয়নে যে, তুমি তাক অগ্ৰাহ্য কৰিলা?
কিয়নো মনোনীত কৰা কাৰ্য তোমাৰ হে, মোৰ নহয়; এই হেতুকে তুমি
যি জানা, তাক কোৱা। ৩৪ বুদ্ধিমান লোকে মোক কব, এনে কি, মোৰ
কথা শুনা প্ৰত্যেক জ্ঞানৱানে কব, ৩৫ “ইয়োবে জ্ঞানশূন্য কথা কৈছে,
আৰু তেওঁৰ বাক্য বিবেচনাযুক্ত।” ৩৬ ইয়োবে দুষ্টলোকৰ দৰে উত্তৰ
দিয়াৰ কাৰণে তেওঁৰ পৰীক্ষা শেষলৈকে হলেই ভাল। ৩৭ কিয়নো
তেওঁ নিজৰ পাপত বিদ্ৰোহ লগ লগাইছে, তেওঁ আমাৰ মাজত হাত-
তালি দিছে, আৰু ঈশ্বৰৰ বিৰুদ্ধে অনেক কথা কৈছে।

**৩৫** পাছত ইলীহুৱে আৰু উত্তৰ কৰি কলে, ২ “মোৰ কি উপকাৰ?
বা মই পাপ কৰা লাভতকৈ মোৰ কি অধিক লাভ? ৩ এই বুলি যে তুমি
কৈছা, ইয়াক তুমি ন্যায় বুলি ভাবিছা নে? বা ঈশ্বৰৰ ধাৰ্মিকতাকৈ মোৰ
ধাৰ্মিকতা অধিক, এই বুলি কৈছানে? ৪ মই তোমাক আৰু তোমাৰ
লগৰ তোমাৰ বন্ধুবিলাককো উত্তৰ দিওঁ, ৫ তুমি চকু তুলি আকাশৰ
ফাললৈ চোৱা, তোমাতকৈ ওখত থকা গগণ-মণ্ডললৈ নিৰীক্ষণ কৰা।
৬ তুমি পাপ কৰিলে, তেওঁৰ কি হানি কৰিব পাৰা? আৰু তোমাৰ
অপৰাধ অধিক হলে তুমি তেওঁ কি কৰিবা? ৭ তুমি ধাৰ্মিক হলে,
তেওঁক কি দিব পাৰা? বা তেওঁ তোমাৰ হাতৰ পৰা কি গ্ৰহণ কৰিব?
৮ তোমাৰ দুষ্টতাই তোমাৰ নিচিনা মানুহৰহে হানি কৰিব পাৰে, আৰু
তোমাৰ ধাৰ্মিকতা মনুষ্য সন্তানৰহে উপকাৰী হব পাৰে। ৯ অধিক
উপদ্ৰৱ পোৱাত লোকবিলাকে কাতৰোক্তি কৰে, আৰু বলৱান বিলাকৰ
বাহুৰ কাৰণে উপকাৰ পাবলৈ চিঞঁৰে। ১০ যি জনাই ৰাতি গীত
গোৱাই, ১১ যি জনাই পৃথিবীৰ পশুবোৰতকৈ আমাক বেছিকৈ শিক্ষা
দিছে, আৰু যি জনাই আমাক আকাশৰ চৰাই-চিৰিকটিতকৈ বেছি
জ্ঞানী কৰিছে মোৰ সেই সৃষ্টিকৰ্ত্তা ঈশ্বৰ ক'ত? এই বুলি সিবিলাকৰ
কোনেও নকয়। ১২ তেতিয়া সিবিলাকে দুষ্টবোৰৰ অহঙ্কাৰৰ কাৰণে
কাতৰোক্তি কৰে, কিন্তু তেওঁ উত্তৰ নিদিয়ে। ১৩ বাস্তৱিক ঈশ্বৰে
অসাৰ কথা নুশুনে, আৰু সৰ্ব্বশক্তিমান জনাই তাক নাচাবও। ১৪
তেন্তে তুমি তেওঁক নেদেখো বুলি কলে, তেওঁ জানো শুনিব, তোমাৰ

গোচৰ তেওঁৰ আগত আছে, তুমি তেওঁলৈ বাট চাই থাকিবা। ১৫ কিন্তু
তেওঁ তেওঁৰ কোপত শাস্তি নিদিয়ে, আৰু তেওঁ অপৰাধলৈ বৰকৈ মন
নিদিয়ে; ১৬ এই নিমিত্তে ইয়োবে অসাৰ কথা কবলৈ মুখ মেলিছে,
অনেক জ্ঞানশূন্য কথা কৈছে।

৩৬ ইলীহুৱে আৰু কথা কলে, ২ আৰু অলপমান ধৈৰ্য ধৰা, মই
তোমাক বুজাওঁ, কিয়নো ঈশ্বৰৰ পক্ষে মোৰ আৰু কথা আছে; ৩
মই দূৰৈৰ পৰা মোৰ জ্ঞান সংগ্ৰহ কৰিম, আৰু মই মোৰ সৃষ্টিকৰ্তাৰ
ধাৰ্মিকতা-গুণৰ বৰ্ণনা কৰিম। ৪ কিয়নো মোৰ কথা নিশ্চয়ে মিছা নহয়;
জ্ঞানত সিদ্ধজন তোমাৰ লগতে আছে। ৫ চোৱা, ঈশ্বৰ পৰাক্ৰমী,
তথাপি তেওঁ কাকো হেয়জ্ঞান নকৰে; তেওঁ বুদ্ধিৰ বলতো পৰাক্ৰমী।
৬ তেওঁ দুষ্টৰ প্ৰাণ ৰক্ষা নকৰে, কিন্তু দুখীয়াবিলাকৰ পক্ষে ন্যায় বিচাৰ
কৰে। ৭ তেওঁ ধাৰ্মিকলোকৰ পৰা চকু নুঘুৰাই; কিন্তু সিংহাসনত বহা
ৰজাবিলাকৰ লগত, তেওঁ সৰ্ব্বতিকাললৈকে তেওঁবিলাকক বহুৱাই,
তাত তেওঁবিলাকৰ উন্নতি হয়। ৮ আৰু যদি তেওঁবিলাকক শিকলিৰে
বন্ধা হয়, আৰু তেওঁবিলাক দুখৰ লেজুত বান্ধ খায়, ৯ তেন্তে তেওঁ
তেওঁবিলাকক তেওঁবিলাকৰ কৰ্ম আৰু অপৰাধ দেখুৱাই, তেওঁবিলাকে
যে অহংকাৰ কৰিলে, তাক তেওঁবিলাকক জনায়। ১০ শিক্ষা গ্ৰহণ
কৰিবলৈ তেওঁ তেওঁবিলাকৰ কাণ মুকলি কৰে, আৰু অধৰ্ম-পথৰ পৰা
ঘুৰিবলৈ তেওঁবিলাকক আজ্ঞা দিয়ে। ১১ যদি তেওঁবিলাকে তেওঁৰ
কথা শুনে, আৰু তেওঁৰ সেৱা কৰে, তেন্তে তেওঁবিলাকে তেওঁবিলাকৰ
দিন সুখে সম্পদে নিয়ায়, আৰু তেওঁবিলাকৰ বছৰ কেইটা সন্তোষেৰে
কটায়। ১২ কিন্তু যদি তেওঁবিলাকে নুশুনে তেন্তে অস্ত্ৰাঘাতত বিনষ্ট হয়,
আৰু জ্ঞানৰ অভাৱত প্ৰাণত্যাগ কৰে। ১৩ অধৰ্মচিত্তীয়াবোৰে ক্ৰোধ
সাঁচি থয়; ঈশ্বৰে সিহঁতক বান্ধিলেও সিহঁতে কাতৰোক্তি নকৰে। ১৪
সিহঁত ডেকা কালতে মৰে, আৰু ভ্ৰষ্টাচাৰীবোৰৰ মাজত সিহঁতৰ প্ৰাণ
নষ্ট হয়। ১৫ তেওঁ দুৰ্গতিত পৰা জনক তাৰ দুৰ্গতিৰ দ্বাৰাই উদ্ধাৰ
কৰে, আৰু উপদ্ৰৱৰ দ্বাৰাই তেওঁবিলাকৰ কাণ মুকলি কৰে। ১৬ তেওঁ
তোমাক সঙ্কটৰ মুখৰ পৰা, ক্লেশ নোহোৱা বহল ঠাইলৈ উলিয়াই
আনিছে; আৰু তোমাৰ মেজ অতি তেলীয়া আহাৰেৰে সজোৱা হব; ১৭

কিন্তু তুমি দুষ্টৰ বিচাৰেৰে পৰিপূৰ্ণ হলে, তোমাক বিচাৰ আৰু ন্যায়
দণ্ডই ধৰিব। ১৮ সাৱধান, ক্ৰোধে তোমাক নিন্দা পথলৈ নিনিয়ক,
আৰু মুক্তিৰ অধিক মূল্যই তোমাক অবাটে লৈ নাযাওক। ১৯ তোমাৰ
ধন, আৰু শক্তি সমস্ত বল, তুমি দুখত নপৰিবলৈ জানো যথেষ্ট হব?
২০ যি ৰাতিত লোকবিলাকক নিজ নিজ ঠাইত উচ্ছন্ন কৰা হয়, এনে
ৰাতিলৈ তুমি বাঞ্ছা নকৰিবা। ২১ সাৱধান, তুমি অধৰ্মলৈ মুখ নকৰিবা;
কিয়নো তুমি দুখ ভোগতকৈ তাকেই মনোনীত কৰিছা। ২২ চোৱা,
ঈশ্বৰে নিজ পৰাক্ৰমত মহৎ কাৰ্য কৰে; তেওঁৰ নিচিনা শিক্ষা দিওঁতা
কোন আছে? ২৩ কোনে তেওঁৰ নিমিত্তে তেওঁৰ পথ নিৰূপণ কৰিলে?
বা তুমি অন্যায় কৰিলা, এই বুলি তেওঁক কোনে কব পাৰে? ২৪
ঈশ্বৰৰ যি কাৰ্যৰ বিষয়ে মানুহে গানৰ দ্বাৰাই কীৰ্ত্তন কৰিলে, তুমি
সেই কাৰ্যৰ মহিমাৰ প্ৰশংসা কৰিবলৈ মনত ৰাখিবা। ২৫ সকলো
মানুহে তাক নিৰীক্ষণ কৰে; মৰ্ত্ত্যই দূৰৈৰ পৰা তালৈ দৃষ্টি কৰে। ২৬
চোৱা, ঈশ্বৰ মহান, আৰু আমাৰ জ্ঞানৰ অগম্য; তেওঁৰ বছৰৰ সংখ্যাৰ
অনুসন্ধান কৰা অসাধ্য। ২৭ কিয়নো তেওঁ জনৰ কণিকাবোৰ আকৰ্ষণ
কৰে; সেইবোৰেই তেওঁৰ ভাপৰ পৰা জৰি জৰি পৰে; ২৮ সেইবোৰক
আকাশে বৰষায়, মানুহৰ ওপৰত অধিককৈ টোপে টোপে পেলায়। ২৯
বাস্তৱিক তেওঁৰ মেঘৰ বিস্তাৰণ, আৰু তেওঁৰ তম্বুৰূপ মেঘৰ গৰ্জ্জন
কোনে বুজিব পাৰে? ৩০ চোৱা, তেওঁ নিজৰ চাৰিওফালে নিজৰ
পোহৰ বিস্তাৰ কৰে; আৰু তেওঁ সাগৰৰ তলি ঢাকে। ৩১ কিয়নো তেওঁ
এইবোৰৰ দ্বাৰাই লোকবিলাকক শাসন কৰে, আৰু প্ৰচুৰ পৰিমাণে
খোৱা বস্তু দান কৰে। ৩২ তেওঁ বিজুলীৰে নিজৰ অঞ্জলি ভৰায়, লক্ষ্যত
লাগিবলৈ তেওঁ তাক আজ্ঞা দিয়ে। ৩৩ তাৰ মহা শব্দই তেওঁৰ বিষয়ে
সম্বাদ দিয়ে, পশুবোৰকো তেওঁৰ আগমণৰ কথা জনায়।

**৩৭** ইয়াতো মোৰ হৃদয় কঁপিছে, আৰু বুকু ঢপ ঢপ কৰিছে। ২ শুনা,
শুনা, সেইয়া তেওঁৰ গৰ্জ্জনৰ ধ্বনি, সেয়া তেওঁৰ মুখৰ পৰা ওলোৱা
শব্দ। ৩ সেয়া তেওঁ আকাশ-মণ্ডলৰ তলৰ আটাই ঠাইলৈকে পঠাই,
আৰু পৃথিবীৰ অন্তলৈকে তেওঁ বিজুলী মাৰে। ৪ তাৰ পাছত গাজনি
মাৰে, তেওঁ নিজৰ মহৎ শব্দেৰে গৰ্জ্জন কৰে; যেতিয়া তেওঁৰ মাত শুনা

যায়, তেতিয়াই তেওঁ সেইবোৰক নথমায়। ৫ ঈশ্বৰে নিজ মাতেৰে
আচৰিতৰূপে গৰ্জ্জন কৰে; তেওঁ আমাৰ বোধৰ অগম্য মহৎ কাৰ্যবোৰ
কৰে। ৬ কিয়নো তেওঁ হিমক কয়, 'তুমি পৃথিবীত পৰা', সেইদৰে
তেওঁ বৰষুণক বৰষিবলৈ কয়, 'তীব্ৰৰূপ ধৰি বৰষুণ বৰ্ষা'। ৭ তেওঁ প্ৰজা
সকলো মানুহে তেওঁৰ কাৰ্যপ্ৰণালী জানিবৰ বাবে তেওঁ প্ৰত্যেক মানুহৰ
হাত বন্ধ কৰে। ৮ তেতিয়া জন্তুবোৰ চোঙত সোমায়; আৰু নিজ নিজ
বাসস্থানত থাকে। ৯ দক্ষিণৰ কোঁঠালিৰ পৰা ধুমুহা আহে, আৰু উত্তৰৰ
পৰা জাৰ উপস্থিত হয়। ১০ ঈশ্বৰৰ নিশ্বাসৰ দ্বাৰাই বৰফ হয়, আৰু
বহল জল সমূহ ঠেক হৈ যায়। ১১ এনে কি, তেওঁ ঘন মেঘত পানী জমা
হ'ব দিয়ে, তেওঁ নিজৰ বিজুলী থকা মেঘ বিস্তাৰ কৰে। ১২ গোটেই ভু-
মণ্ডলত সেইবোৰে যেন তেওঁৰ আজ্ঞা অনুসাৰে কাৰ্য কৰে, এই কাৰণে
সেইবোৰে তেওঁৰ পৰিচালনৰ দ্বাৰাই ঘুৰি ফুৰে। ১৩ তেওঁ এইবোৰ
হ'বলৈ সৃষ্টি কৰে, সেয়া শাস্তিৰ বাবেই হওক, বা নিজ পৃথিবীৰ বাবেই
হওক, নাইবা বিশ্বস্ততাৰ বাবেই হওক, তেওঁ তাক হ'ব দিয়ে। ১৪ হে
ইয়োব, তুমি ইয়ালৈ কাণ পাতা; থিৰে থাকি ঈশ্বৰৰ আচৰিত কৰ্ম
বিবেচনা কৰা। ১৫ ঈশ্বৰে কেনেকৈ মেঘক নিয়ন্ত্ৰণ কৰে, আৰু কেনেকৈ
নিজে বিজুলী প্ৰকাশিত কৰে, তাক তুমি জানানে? ১৬ কেনেকৈ
আকাশত মেঘ ভাহি থাকে, ঈশ্বৰৰ বিস্ময়কৰ কাৰ্যপ্ৰণালীবোৰ তুমি
জানানে, জ্ঞানত কোন নিখুত জানানে? ১৭ যেতিয়া দক্ষিণ বায়ুৰ
দ্বাৰাই পৃথিৱী নিস্তব্ধ হয়, তেতিয়া বস্ত্ৰ কেনেকৈ গৰম যেন বোধ হয়
তুমি জানানে? ১৮ তুমি জানো সাঁচত ঢলা দৰ্পণৰ দৰে দৃঢ় আকাশ-
মণ্ডলক তেওঁৰ লগত বিস্তাৰ কৰিব পাৰা? ১৯ আমি তেওঁক কি ক'ম,
সেয়া আমাক জনোৱা; কিয়নো আমাৰ যুক্তিৰ উদ্দেশ্যে আমি একো
উলিয়াব পৰা নাই, কাৰণ আমাৰ মন অন্ধকাৰত আচ্ছন্ন। ২০ মই কথা
কওঁ বুলি তেওঁৰ আগত জনোৱা হব নে? বা কাল গ্ৰাসত পৰিবলৈ
কোনোবাই জানো ইচ্ছা কৰিব? ২১ সম্প্ৰতি মানুহে আকাশত মহা-
তেজস্বী জ্যোতি দেখা নাপায়; কিন্তু বতাহ চলিলে আকাশ নিৰ্ম্মল হয়।
২২ উত্তৰৰ পৰা সুবৰ্ণময় জ্যোতি আহে; ঈশ্বৰত ভয়ানক প্ৰভাৱ আছে।
২৩ সৰ্ব্বশক্তিমান জনা আমাৰ তত্ত্বৰ অগম্য, তেওঁ পৰাক্ৰমত মহান;

তেওঁ ন্যায় বিচাৰ আৰু ধাৰ্মিকতাৰ বিপৰীত কোনো ৰূপে নকৰে। ২৪
এই কাৰণে মানুহে তেওঁলৈ ভয় ৰাখে; কিন্তু যিসকল লোকে নিজৰ
মনতে জ্ঞানী বুলি ভাবে, তেনেলোকলৈ তেওঁ মনোযোগ নিদিয়ে।
**৩৮** তেতিয়া যিহোৱাই ধুমুহাটোৰ মাজৰ পৰা ইয়োবক উত্তৰ কৰি
ক'লে, ২ "যিজনে এই জ্ঞানশূন্য বাক্যেৰে ঈশ্বৰৰ মন্ত্ৰণা আন্ধাৰ
কৰিছে, এইটো কোন? ৩ তুমি এতিয়া বীৰৰ দৰে কঁকাল বান্ধা;
কিয়নো মই তোমাক সোঁধো, তুমি মোক কোৱা। ৪ যি সময়ত মই
পৃথিবীৰ মূল স্থাপন কৰিলোঁ, তেতিয়া তুমি ক'ত আছিলা? যদি তোমাৰ
বোধ আছে, তেন্তে কোৱা। ৫ কোনে তাৰ পৰিমাণ নিৰূপণ কৰিলে?
বা কোনে তাৰ ওপৰত পৰিমাণ-জৰী পাৰিলে? যদি জানা তেন্তে
কোৱা। ৬ সেই কালত তাৰ মুলবোৰ কিহৰ ওপৰত বহুওৱা হল? বা
কোনে তাৰ চুকৰ শিল স্থাপন কৰিলে? ৭ যেতিয়া প্ৰভাতীয় তৰাবোৰে
একেলগে গান কৰিছিল, তেতিয়া ঈশ্বৰৰ সন্তান সকলে জয়ধ্বনি
কৰিছিল নে? ৮ গৰ্ভৰ পৰা বাহিৰ হোৱাৰ দৰে সমুদ্ৰ যেতিয়া বাহিৰ
হৈছিল, তেতিয়া কোনে দুৱাৰৰ সৈতে সমুদ্ৰক নীৰৱ কৰিছিল? ৯
যেতিয়া মই মেঘক তাৰ বস্ত্ৰস্বৰূপে নিৰ্মান কৰিছিলোঁ, আৰু ঘোৰ
অন্ধকাৰক, তাক মেৰিওৱা পটী স্বৰূপ কৰিছিলোঁ, ১০ আৰু যেতিয়া মই
তাৰ বাবে বিধি নিৰূপণ কৰিছিলোঁ, ডাং আৰু দুৱাৰ লগাই কৈছিলো-
১১ 'তুমি ইয়ালৈকে আহিব পাৰা, ইয়াতকৈ বেছি নহয়; ইয়াতে তোমাৰ
গৰ্ব্বী ঢৌবোৰ মাৰ যাব।' ১২ তুমি চিৰকাল আছা নে, তোমাৰ জীৱনৰ
দিন আৰম্ভণিৰ পৰা আছে নে, তুমি প্ৰভাতক আজ্ঞা দিছিলা নে? আৰু
অৰুণক তাৰ উদয় স্থান জনাইছিলা নে? ১৩ সেইদৰে পৃথিবীৰ চাৰিও
চুক ধৰিছিলা নে, তাৰ পৰা দুষ্টবোৰক জোকাৰি পেলাইছিলা নে?
১৪ ছাব মৰা মাটিৰ দৰে পৃথিবীৰ ৰূপ পৰিৱৰ্ত্তন হয়, আৰু সকলো
বস্তু এখন চিত্ৰ-বিচিত্ৰ বস্ত্ৰৰ দৰে প্ৰকাশ পায়। ১৫ আৰু দুষ্টবোৰৰ
পৰা পোহৰ আতৰোৱা হয়, আৰু সিহঁতৰ উৰ্ধবাহু ভগ্ন হয়। ১৬ তুমি
জানো সমুদ্ৰৰ উৎপন্ন ঠাইলৈ গৈছিলা? বা অগাধ জলৰ গুপ্তস্থানত
জানো ফুৰিছিলা? ১৭ মৃত্যুপুৰীৰ দুৱাৰ তোমালৈ অনাবৃত আছিল
নে? বা মৃত্যুছায়াৰ দুৱাৰ দেখিছিলা নে? ১৮ তুমি পৃথিবীৰ প্ৰস্থৰ বুজ

পালা নে? এই সকলো যদি জানা, তেন্তে কোৱা। ১৯ পোহৰ থকা ঠাইলৈ যোৱা বাট ক'ত- সেইদৰে আন্ধাৰৰ ঠাইয়ে বা ক'ত? ২০ যি ঠাইৰ পৰা পোহৰ আৰু আন্ধাৰ আহে, সেই ঠাইলৈ তুমি তাক উভতাই নিব পাৰিবা নে, বা তুমি জানা নে, কিদৰে সেই ঠাইৰ পৰা আহে? ২১ তুমি যেতিয়া জন্মিছিলা, নিশ্চিন্তভাবে জানিছিলা! আৰু তোমাৰ দিনৰ সংখ্যা অধিক! ২২ যত হিম সঞ্চয় কৰা হয়, সেই ভঁৰালত তুমি প্ৰবেশ কৰিছা নে, তুমি সেই শিলাবৃষ্টিৰ ভঁৰাল দেখিছিলা নে? ২৩ এই বস্তুবোৰ মই সঙ্কট সময়ৰ বাবে, ৰণ বা যুদ্ধ দিনৰ বাবে ধৰি ৰাখো; ২৪ কি নিয়মেৰে বিজুলীৰ পোহৰ ভাগবতৰা হয়, বা কি নিয়মেৰে পূবৰ বায়ু পৃথিবীত বিয়পি পৰে? ২৫ প্লাৱন সৃষ্টিকাৰী বৰষুণৰ বাবে কোনে পানী বোৱাই নিয়া নলা তৈয়াৰ কৰিলে, বা কোনে বিজুলী-ঢেৰেকনিৰ বাবে পথ প্ৰস্তুত কৰিলে, ২৬ বৰষুণ নোহোৱা কাৰণে যি ঠাইত কোনো ব্যক্তি নাথাকে, আৰু য'ত এজনো মানুহ নাই, সেই পৰিত্যক্তভূমি, ২৭ সেই অনুৰ্বৰ মাটি আৰু জনশূণ্য অঞ্চলৰ উদ্দেশ্যে, কোনে কোমল ঘাঁহ গজাই তোলে? ২৮ বৰষুণৰ জানো পিতৃ আছে? নিয়ৰৰ বিন্দুসমূহ জানো কোনোবাই প্ৰসৱ কৰিলে? ২৯ কাৰ গৰ্ভৰ পৰা বৰফ বাহিৰ হ'ল? কোনে আকাশত বগা তুষাৰপাত জন্ম দিলে? ৩০ জল সমূহ নিজে গোট খায় আৰু শিলৰ নিচিনা হয়, পৃষ্ঠতলৰ গভীৰত সি হিমলৈ ৰূপান্তৰিত হয়। ৩১ তুমি জানো কৃত্তিকা নক্ষত্ৰৰ হাৰ গাঁথিব পাৰা? বা মৃগশীৰ্ষ নক্ষত্ৰৰ বান্ধ জানো সোলোকাব পাৰা? ৩২ আৰু ৰাশিবোৰক জানো নিজ নিজ ঋতুত উলিয়াব পাৰা? বা তুমি সপ্তশীৰ্ষক জানো তাৰ অনুচৰ বোৰে সৈতে বাট দেখুৱাই নিব পাৰা? ৩৩ তুমি আকাশ-মণ্ডলৰ নিয়মবোৰ জানা নে? পৃথিবীৰ ওপৰত তুমি সেইবোৰৰ অধিকাৰ স্থাপন কৰিব পাৰা নে? ৩৪ ঢল পানীৰে তোমাক ঢাকিবৰ বাবে তুমি মেঘলৈকে তোমাৰ মাত নিয়াব পাৰা নে? ৩৫ তুমি বিজুলীবোৰক যা বুলি পঠাব পাৰা নে? সেইবোৰে জানো তোমাক ক'ব নে, 'এইয়া আমি'? ৩৬ ঘন মেঘক কোনে জ্ঞান দিলে? পপীয়া তৰা কোনে বুদ্ধি দিলে? ৩৭ এনে দক্ষতা কাৰ আছে, যিয়ে মেঘ সমূহক গণনা কৰিব পাৰে? কোনে আকাশৰ পৰা বৰষুণ বৰ্ষাব পাৰে?

৩৮ যেতিয়া ধুলিবোৰ গৈ গোট খায়, আৰু চপৰাবোৰ টানকৈ লগ লাগে, সেই সময়ত কোনে আকাশৰ জলৰ মোটবোৰ বাকি দিয়ে? ৩৯ তুমি সিংহিনীৰ নিমিত্তে মৃগয়া কৰিবা নে? বা তাইৰ সৰু পোৱালিক সন্তুষ্ট হোৱাকৈ খাবলৈ দিবা নে? ৪০ যেতিয়া ডেকা সিংহবোৰে নিজ নিজ চোঙত চোপ লৈ থাকে, আৰু আঁৰত খাপ দি থাকে তেতিয়া তুমি সেইবোৰৰ হেপাঁহ পলুৱাব পাৰা নে? ৪১ যেতিয়া ঢোঁৰা-কাউৰীৰ পোৱালি বোৰে ঈশ্বৰৰ গুৰিত চিঞঁৰে, আৰু আহাৰৰ অভাৱত ফুৰে তেতিয়া সেইবোৰৰ বাবে কোনে আহাৰ যোগায়?

**৩৯** তুমি জানো পৰ্ব্বতৰ বনৰীয়া ছাগলীবোৰৰ জগা কাল জানা? হৰিণীয়ে পোৱালি কেতিয়া জগায়, তাক জানো তুমি ঠিককৈ ক’ব পাৰা? ২ সিহঁতে কেইমাহ গৰ্ভধাৰণ কৰে, তাক তুমি নিৰ্ণয় কৰিব পাৰা নে? বা সিহঁতে জগোৱা সময় তুমি জানা নে? ৩ সিহঁতে আঠু পাৰিহে গৰ্ভৰ পৰা পোৱালি উলিয়ায়, আৰু তেতিয়াই নিজৰ বেদনা জোকাৰি পেলায়। ৪ সিহঁতৰ পোৱালিবোৰ অৰণ্যতে শক্তিশালী আৰু ডাঙৰ-দীঘল হয়; সিহঁতৰ বাহিৰলৈ ওলাই যায় আৰু পুনৰ ওচৰলৈ উভটি নাহে। ৫ বনৰীয়া গাধক কোনে স্বাধীন কৰি এৰি দিলে? কোনে বনৰীয়া গাধৰ বান্ধ সোলোকালে? ৬ মই অৰণ্যক তাৰ ঘৰ কৰিলোঁ, আৰু লোণা ভুমিক তাৰ নিবাসৰ ঠাই কৰিলোঁ। ৭ সি নগৰৰ কোলাহল হেয়জ্ঞান কৰে; চলাওঁতাৰ ডাবি-হুকি শুনিবলৈ নাপায়। ৮ চাৰণভুমিৰ দৰে সি পৰ্ব্বতমালাত ঘূৰি ফুৰে; সি খাবৰ বাবে সকলো বিধৰ কেঁচা বৰণীয়া বন বিচাৰি ফুৰে। ৯ মেঠনে তোমাৰ তলত খাটিবলৈ মান্তি হব নে? তোমাৰ দানা পাত্ৰৰ ওচৰত থাকিব নে? ১০ তুমি জোঁট-জৰী লগাই মেঠনক সীৰলুত ৰাখিব পাৰা নে? সি তোমাৰ পাছে পাছে উপত্যকাত মৈ টানিব নে? ১১ তাৰ বল অধিক হোৱাৰ কাৰণে তুমি তাক বিশ্বাস কৰিবা নে? তোমাৰ কাম তাক গটাই দিবা নে? ১২ সি তোমাৰ খেতিৰ শস্য ঘৰলৈ আনিব বুলি, তোমাৰ খলাত ধান চপাব বুলি, তুমি তাত প্ৰত্যয় কৰিব পাৰা নে? ১৩ উট চৰাইৰ ডেউকাই উল্লাস কৰে, কিন্তু তাইৰ ডেউকা আৰু পাখি মৰমীয়াল নে? ১৪ তাই মাটিত নিজৰ কণী পাৰি এৰি থৈ যায়, আৰু ধুলিত উম পাবলৈ দিয়ে।

১৫ কোনোবাই তাক ভৰিৰে ভাঙি পেলাব বুলি, বা বনৰীয়া জন্তুৱে
তাক গচকিব বুলি তাইৰ তালৈ মনত নপৰে। ১৬ পৰৰ পোৱালিৰ
নিচিনাকৈ তাই নিজৰ পোৱালিবোৰলৈ নির্দ্দয় ব্যৱহাৰ কৰে, আৰু কণী
পৰা বিফল হলেও তাই মনত দুখ নাপায়। ১৭ কিয়নো ঈশ্বৰে তাইক
জ্ঞানহীন কৰিলে, আৰু তাইক বুদ্ধিৰ ভাগ নিদিলে। ১৮ কিন্তু যেতিয়া
তাই ডেউকা কোবাই কোবাই লৰ মাৰে, তেতিয়া তাই ঘোঁৰাত উঠা
জনকো হেয়জ্ঞান কৰে। ১৯ ঘোঁৰাক জানো তুমি বল দিলা? লৰি থকা
কেশৰেৰে তাৰ ডিঙি জানো তুমি ভুষিত কৰিলা? ২০ তাক ফৰিঙৰ
দৰে জপিওৱা জানো তুমি কৰিলা? তাৰ নাকৰ ফোৰোহনিৰ শব্দ অতি
ভয়ানক। ২১ সি উপত্যকাত ভৰি মাৰে, আৰু নিজৰ বলত উল্লাস কৰে,
সি অস্ত্ৰ–শস্ত্ৰেৰে সু-সজ্জিত হোৱা সৈন্যৰ সন্মূখলৈ ওলায় যায়। ২২ সি
ভয়ক হাঁহে, আৰু আতংকিত নহয়; সি তৰোৱালৰ মুখ পৰা উলতি
নাহে। ২৩ তূণে তাৰ বিৰুদ্ধে পাৰ্শ্বদেশত শব্দ কৰে; চিকমিকীয়া বৰছা
আৰু যাঠিয়ে তাৰ ওপৰত শব্দ কৰে। ২৪ সি ক্ৰোধত ভয়ানক মুৰ্ত্তি
ধৰি মাটি গ্ৰাস কৰে; শিঙা-ধ্বনি শুনিলে, সি থিয় হৈ থিৰে নাথাকে।
২৫ শিঙাধ্বনি যেতিয়া শুনে সি হিঁ হিঁ শব্দ কৰে; সি দুৰৈৰ পৰা যুদ্ধৰ
গোন্ধ পায়, সি সেনাপতিসকলৰ গৰ্জ্জন আৰু সিংহনাদ শুনে। ২৬
তোমাৰ বুদ্ধিৰেই জানো শেনে ওপৰলৈ উড়া মাৰে, আৰু তাতে সি
জানো দক্ষিণ ফাললৈ নিজৰ ডেউকা মেলে? ২৭ ঈগল পক্ষীয়ে জানো
তোমাৰ আজ্ঞাত ওপৰলৈ উঠে, আৰু অতি ওখ ঠাইত বাহ সাজে? ২৮
সি শিলত বাস কৰে, তাতেই তাৰ বাহ; সি থিয় পৰ্ব্বতৰ টিঙত আৰু
দুৰ্গম ঠাইত থাকে। ২৯ সেই ঠাইৰে পৰা সি আহাৰ মনে; তাৰ চকুৱে
দুৰৈৰ পৰা তাক দেখে। ৩০ তাৰ পোৱালিবোৰে তেজ পিয়ে; য'তে বধ
কৰা শৱ থাকে, ত'তে সিও থাকে।”

৪০ যিহোৱাই ইয়োবক আৰু উত্তৰ কৰি ক'লে, ২ দোষ ধৰোঁতাই
জানো সৰ্ব্বশক্তিমান জনাৰ লগত বিবাদ কৰিব? ঈশ্বৰৰ লগত
বাদানুবাদ কৰোঁতাই তাৰ উত্তৰ দিয়ক। ৩ তাতে ইয়োবে যিহোৱাক
উত্তৰ কৰি ক'লে, ৪ “চোৱা, মই নীহ, তোমাক কি উত্তৰ দিম? মই
মোৰ মুখত হাত দিওঁ। ৫ মই এবেলি ক'লোঁ, আৰু উত্তৰ নিদিওঁ;

এনে কি, দুবেলি ক'লো, কিন্তু পুনৰায় নকওঁ।" ৬ তেতিয়া যিহোৱাই
ধুমুহাটোৰ মাজৰ পৰা ইয়োবক উত্তৰ দি ক'লে, ৭ "তুমি বীৰৰ
দৰে কঁকাল বান্ধা; মই তোমাক সোধোঁ, তুমি মোক কোৱা। ৮ মই
ন্যায় বিৰুদ্ধ বুলি তুমি সঁচাই ক'বা নে? বা নিজকে ধাৰ্মিক কৰিবৰ
অৰ্থে মোক দোষী কৰিবা নে? ৯ তোমাৰ জানো ঈশ্বৰৰ নিচিনা বাহু
আছে? তুমি জানো তেওঁৰ দৰে মেঘ-গৰ্জ্জনৰ নিচিনা শব্দ কৰিব
পাৰা? ১০ তেনেহলে তুমি প্ৰতাপ আৰু মহিমাৰে বিভুষিত হোৱা,
প্ৰভাব আৰু গৌৰৱৰূপ বস্ত্ৰ পৰিধান কৰা; ১১ তুমি নিজ ক্ৰোধৰূপ বৃষ্টি
বৰষোৱা, প্ৰত্যেক অহঙ্কাৰীকে চোৱা আৰু তেওঁলোকক নত কৰা। ১২
প্ৰত্যেক অহঙ্কাৰীকে চোৱা আৰু তেওঁলোকক নীহ অৱস্থালৈ পেলোৱা,
দুষ্টবোৰক সিহঁতৰ নিজ নিজ ঠাইত গচকি পেলোৱা; ১৩ সিহঁতক
একেবাৰে ধুলিৰে ঢাকি থোৱা, সিহঁতৰ মুখ গুপুত ঠাইত বান্ধি ৰাখা।
১৪ তেতিয়া তোমাৰ সোঁ হাতে তোমাক ৰক্ষা কৰিব বুলি মইও তোমাৰ
বিষয়ে স্বীকাৰ কৰিম। ১৫ ই তোমাৰ লগত বহেমোৎ নামেৰে যি জন্তু
স্ৰজিলোঁ, তাক চোৱা; সি গৰুৰ দৰে ঘাঁহহে খায়। ১৬ চোৱা, তাৰ বল
তাৰ কঁকালত আছে, তাৰ শক্তি তাৰ পেটৰ পেশীত আছে। ১৭ সি
নিজৰ নেজ এৰচ গছৰ ডালৰ দৰে লৰায়; তাৰ তপিনাৰ পেশীবোৰ
জালৰ দৰে গঁথা। ১৮ তাৰ হাড়বোৰ পিতলৰ নলীৰ নিচিনা, তাৰ
অস্থিবোৰ লোহাৰ ডাং সদৃশ। ১৯ ঈশ্বৰৰ সৃষ্টিৰ মাজত সি প্ৰধান;
যিজনা সৃষ্টিকৰ্ত্তাই তাক সৃষ্টি কৰিলে, একমাত্ৰ সেইজনা ঈশ্বৰেহে তাক
পৰাভূত কৰিব পাৰিব। ২০ পৰ্ব্বতবোৰে তাৰ বাবে আহাৰ উৎপন্ন
কৰে; তাতে আটাই বনৰীয়া জন্তুৰে ধেমালি কৰে। ২১ সি পদুমনিৰ
তলত শোৱে, নলনি আৰু পিটনিৰ আঁৰত সি আশ্ৰয় লয়। ২২ পদুম
গছবোৰে তাক ছাঁ দি ধৰে; নদীৰ বাইচি গছবোৰ তাৰ চাৰিওফালে
থাকে। ২৩ চোৱা, নৈ বাঢ়ি বাগৰি গলেও সি ত্ৰাস নাপায়; যৰ্দ্দন ওফন্দি
তাৰ মুখৰ ওচৰ পালেও, সি নিশ্চিন্ত হৈ থাকে। ২৪ সি চাই থাকোঁতে
জানো কোনোবাই তাক ধৰিব পাৰে? কোনো ফান্দ লগাই তাৰ নাক
জানো বিন্ধিব পাৰে?

**৪১** তুমি জানো বৰশীৰে লিবিয়াথন জন্তুক তুলিব পাৰা? বা ৰচিৰে
তাৰ জিভা বান্ধিব পাৰা? ২ তুমি তাৰ নাকত নাকী লগাব পাৰা নে? বা
বৰশীৰে তাৰ কেৰাৰি বিন্ধাব পাৰা নে? ৩ সি জানো তোমাৰ আগত
বৰকৈ কাবৌ কাকুতি কৰিব? বা তোমাক জানো কোমল কথা ক'ব? ৪
তুমি তাক চিৰকাললৈকে তোমাৰ দাস কৰি ল'বৰ কাৰণে, সি তোমাৰ
লগত কোনো চুক্তি কৰিব নে? ৫ চৰাই এটিৰ লগত ওমলাৰ দৰে
তুমি তাৰ লগতো উমলিবা নে? বা তোমাৰ দাসীবোৰৰ বাবে তুমি
তাক বান্ধি ৰাখিবা নে? ৬ মাছমৰীয়াহঁতে তাক বেচা-কিনা কৰিব নে?
সিহঁতে মুদৈবিলাকৰ মাজত তাক জানো ভাগ বাঁটি দিব? ৭ তুমি জানো
তাৰ ছাল শেলেৰে, বা তাৰ মূৰ মাছ খোচা কোলেৰে জানো পুৰ কৰিব
পাৰিবা? ৮ তাৰ গাত হাত দি চাবাচোন; হাত দিলে, সেই যুঁজক সুঁৱৰি
আকৌ তেনে নকৰিবা। ৯ চোৱা, তাক ধৰিবলৈ আশা কৰা বৃথা? তাক
দেখিলেই মানুহ পৰি নাযাব নে? ১০ এনে হিংস্র লিবিয়াথনক জোকাব
পৰা সাহিয়াল কোনো নাই; তেনেহলে মোৰ আগত থিয় হ'ব পৰা
কোন আছে? ১১ আগেয়ে কোনে মোক কিবা দিছিল, যাৰবাবে মই যে
কিবা ওভতাই দিম? আকাশ-মণ্ডলৰ তলত থকা সকলো মোৰেই।
১২ মই লিবিথিয়ানৰ ভৰিৰ বিষয়ে নকোৱাকৈ মনে মনে নাথাকোঁ,
নাইবা তাৰ মহাবল আৰু গাৰ সুন্দৰ গঠনৰ বিষয়ে মই নোকোৱাকৈ
নাথাকোঁ। ১৩ তাৰ ওপৰৰ আচ্ছাদন কোনে গুচাব পাৰে? কোনে তাৰ
শক্তিশালী বৰ্মৰ মাজলৈ কোনে সোমাব পাৰে? ১৪ তাৰ মুখৰ দুৱাৰ
দুখলপা কোনে মেলিব পাৰে? তাৰ দাঁতৰ চাৰিওফালে ভয় থাকে।
১৫ তাৰ পিঠিভাগ ঢালৰ শাৰীৰে গঢ়া; সেইবোৰ মোহৰ মৰাৰ দৰে
দৃঢ়ৰূপে লগোৱা আছে। ১৬ সেইবোৰ এটাৰ লগত আনটো এনেদৰে
লগলাগি আছে, তাৰ ভিতৰলৈ বায়ুও সোমাব নোৱাৰে। ১৭ সেইবোৰ
ইটোৱে সিটোৰ লগত সংযুক্ত; একেলগে সংলগ্ন, সেইবোৰক পৃথক
কৰিব নোৱাৰি। ১৮ তাৰ হাঁচিয়ে দীপ্তি প্ৰকাশ কৰে; তাৰ চকু অৰুণৰ
পিৰঠিৰ নিচিনা। ১৯ তাৰ মুখৰ পৰা জ্বলি থকা জোঁৰ বাহিৰ হয়;
জুইৰ ফিৰিঙটি ওলায়। ২০ উতলি থকা কেটলিৰ পৰা গৰম ভাপ
ওলোৱাৰ দৰে, তাৰ নাকৰ পৰা ধোঁৱা ওলাই। ২১ তাৰ নিশ্বাসে এঙাৰ

জ্বলায়, তাৰ মুখৰ পৰা অগ্নি শিখা বাহিৰ হয়। ২২ তাৰ ডিঙিত বল
থাকে, আৰু ত্ৰাসে তাৰ আগত নাচি থাকে। ২৩ তাৰ গাৰ ওলমি থকা
ভাগ ডাঠকৈ লগা, সেয়ে তাৰ গাত আট খাই ধৰা, লৰাব নোৱাৰি।
২৪ তাৰ কলিজা শিলৰ নিচিনা টান, (সি ভয়হীন); এনে কি, জাত
শিলৰ তল চলাৰ নিচিনা টান। ২৫ যেতিয়া সি নিজে থিয় হয়, তেতিয়া
বলৱানসকলেও ভয় পায়, আৰু ত্ৰাসৰ কাৰণে বিতত হয়। ২৬ যদি
কোনোবাই তৰোৱালেৰে তাক আঘাত কৰে, তেতিয়াও তাৰ একো
নহব, বা তাৰ্লৈ যাঠী, কাঁড়, বা শেল মাৰিলে সকলো মিছা হব। ২৭ সি
লোহাক খেৰৰ নিচিনা দেখে, আৰু পিতলক পচা কাঠ যেন জ্ঞান কৰে।
২৮ ধনুৰ কাঁড়ে তাক খেদাব নোৱাৰে; ফিঙ্গাৰ শিলবোৰো তাৰ আগত
তুঁহৰ দৰেহে হয়। ২৯ সি গদাক ঘুলা যেন মানে, আৰু সশব্দে ঘূৰি ঘূৰি
অহা বৰছাৰ শব্দত সি হাঁহে, ৩০ তাৰ তল ভাগ ঘেৰ থকা খোলাৰ
নিচিনা; সি বোকাৰ ওপৰেদি যাওঁতে মৰণা মৰা যন্ত্ৰ যেন হয়। ৩১ সি
অগাধ জলক, উতলোৱা কেৰাহিৰ পানী যেন কৰে, আৰু সমুদ্ৰক সুগন্ধি
তেল যেন কৰে। ৩২ সি নিজৰ পাছফালে থকা বাট চিকমিকীয়া কৰে,
আৰু অগাধ জলক তাৰ পকাচুলীয়া যেন বোধ হয়। ৩৩ ভয়হীন ৰূপে
স্ৰজন কৰা, তাৰ তুল্য কোনো জন্তুৰেই পৃথিবীত নাই। ৩৪ সি সকলো
উচ্চ পদাৰ্থলৈ চাই থাকে; সি সকলো অহংকাৰী প্ৰাণীৰ ওপৰত ৰজা।
**৪২** তেতিয়া ইয়োবে যিহোৱাক উত্তৰ দি ক'লে, ২ "মই জানো যে,
তুমি সকলো কৰিব পাৰা; কোনো সঙ্কল্প তোমাৰ অসাধ্য নহয়। ৩
তুমি মোক কোৱা, 'কোনে বিনা জ্ঞানেৰে ঈশ্বৰৰ মন্ত্ৰণা গুপ্ত ৰাখিব
পাৰে? সেইদৰে মই নুবুজা, মই নজনা, মোৰ বোধৰ অগম্য অতি
আচৰিত কথা মই ক'লোঁ। ৪ মিনতি কৰোঁ; শুনা, মই কথা কওঁ, মই
তোমাক সোধোঁ, তুমি মোক কোৱা। ৫ পূৰ্বেত তোমাৰ বিষয়ে মই
কাণেৰেহে শুনিছিলো, কিন্তু এতিয়া নিজ চকুৰে তোমাক দেখিলোঁ। ৬
এই হেতুকে মই নিজকে ঘিণাইছোঁ, ধুলি আৰু ছাঁইত বহি মই খেদ
কৰিছোঁ।" ৭ যিহোৱাই ইয়োবক কথা কোৱাৰ পাছত, তেওঁ তৈমনীয়া
ইলীফজক ক'লে, "তোমালৈ আৰু তোমাৰ দুজন বন্ধুলৈ মোৰ ক্ৰোধ
প্ৰজ্বলিত হৈছে; কাৰণ মোৰ দাস ইয়োবে কোৱাৰ দৰে তোমালোকে

মোৰ বিষয়ে যথাৰ্থ কথা কোৱা নাই। ৮ এই হেতুকে তোমালোকে
সাতোটা ভতৰা, আৰু সাঁতোটা মতা মেৰ-ছাগ লৈ, মোৰ দাস ইয়োবৰ
ওচৰলৈ গৈ নিজৰ বাবে হোমবলি উৎসৰ্গ কৰা; তাতে মোৰ দাস
ইয়োবে তোমালোকৰ কাৰণে প্ৰাৰ্থনা কৰিব। কাৰণ তোমালোকৰ
অজ্ঞানতাৰ দৰে মই যাতে তোমালোকক প্ৰতিফল নিদিয়াকৈ থাকিব
পাৰিম, তাৰবাবে তেওঁকহে গ্ৰহণ কৰিম; কিয়নো তোমালোকে মোৰ
দাস ইয়োবে কোৱাৰ দৰে মোৰ বিষয়ে যথাৰ্থ কথা কোৱা নাই।” ৯
তেতিয়া তৈমনীয়া ইলীফজ, চুহীয়া বিল্দাদদ, আৰু নামাথীয়া চোফৰ
গ'ল আৰু যিহোৱাই তেওঁলোকক আজ্ঞা দিয়াৰ দৰে তেওঁলোকে
যেতিয়া কৰিলে; তেতিয়া যিহোৱাই ইয়োবক গ্ৰহণ কৰিলে। ১০
যেতিয়া ইয়োবে তেওঁৰ বন্ধুসকলৰ বাবে প্ৰাৰ্থনা কৰিলে, তেতিয়া
যিহোৱাই তেওঁৰ দুৰ্দশাৰ পৰিৱৰ্ত্তন কৰিলে, আৰু যিহোৱাই ইয়োবক
আগতকৈ দুগুণ সম্পত্তি দিলে। ১১ পাছত তেওঁৰ ভায়েক-ককায়েক
আৰু বায়েক-ভনীয়েকসকল, আৰু তেওঁ আগৰ চিনাকি লোকসকল
ইয়োবৰ ওচৰলৈ আহি তেওঁৰ ঘৰত তেওঁৰেই সৈতে ভোজন কৰিলে,
আৰু তেওঁৰ বাবে দুখ প্ৰকাশ কৰিলে, আৰু যিহোৱাই তেওঁলৈ ঘটোৱা
সকলো আপদৰ বিষয়ে তেওঁক শান্ত্বনা দিলে, আৰু প্ৰতিজনে তেওঁক
এডোখৰ এডোখৰ ৰূপ, আৰু একোটা সোণৰ আঙুঠি দিলে। ১২
এইদৰে যিহোৱাই ইয়োবৰ প্ৰথম অৱস্থাতকৈ শেষ অৱস্থা অধিক
আশীৰ্ব্বাদযুক্ত কৰিলে; তাতে তেওঁৰ চৈধ্যহাজাৰ মেৰ-ছাগ আৰু
ছাগলী, ছয় হাজাৰ উট, এক হাজাৰ হাল বলধ, আৰু এক হাজাৰ
গাধী হ'ল। ১৩ তেওঁৰ সাতোটা পুতেক, আৰু তিনি জনী জীয়েকো
হ'ল। ১৪ তেওঁৰ বৰ জনীৰ নাম যিমীমা, দ্বিতীয় জনীৰ নাম কচীয়া,
আৰু তৃতীয় জনীৰ নাম কেৰণ-হপ্পূক ৰাখিলে। ১৫ ইয়োবৰ জীয়েক
কেইজনীৰ নিচিনা সুন্দৰী যুৱতী গোটেই দেশত পোৱা নগ'ল, আৰু
বাপেকে তেওঁলোকৰ ভায়েক-ককায়েকসকলৰ লগত তেওঁলোককো
উত্তৰাধিকাৰ দিলে। ১৬ ইয়াৰ পাছত ইয়োবে এশ চল্লিশ বছৰ জীয়াই
থাকি নিজৰ পো-নাতি আদি চাৰি পুৰুষলৈকে দেখিলে। ১৭ এইদৰে
ইয়োবে বৃদ্ধ হৈ সম্পূৰ্ণ আয়ুস পাই প্ৰাণ ত্যাগ কৰিলে।

# সামসঙ্গীত

**১** ধন্য সেই লোক, যি দুষ্টসকলৰ পৰামৰ্শ মতে নচলে, পাপীবিলাকৰ
পথত থিয় নহয়, নিন্দকবোৰৰ সমাবেশত নবহে; ২ কিন্তু যিহোৱাৰ
ব্যৱস্থাত সন্তুষ্ট হয়, আৰু দিনে ৰাতিয়ে তেওঁৰ ব্যৱস্থা ধ্যান কৰে।
৩ সেই লোক বোৱতী পানীৰ দাঁতিত ৰোৱা গছৰ নিচিনা, যি গছে
বতৰত ফল দিয়ে, আৰু যাৰ পাত জঁয় নপৰে; সেই লোকে সকলো
কৰ্মতে সফলতা লাভ কৰে। ৪ দুষ্টবোৰ তেনেকুৱা নহয়; সিহঁত বতাহে
উৰুৱাই নিয়া তুঁহৰ নিচিনা। ৫ এই কাৰণে দুষ্টবোৰে ন্যায় বিচাৰত
থিয় হ'ব নোৱাৰিব, আৰু পাপীলোকে ধাৰ্মিকসকলৰ সভাত থাকিব
নোৱাৰিব। ৬ কাৰণ যিহোৱাই ধাৰ্মিকসকল চলা পথত সতৰ্ক দৃষ্টি
ৰাখে, কিন্তু দুষ্টবোৰৰ পথৰ অন্ত হ'ব সৰ্ব্বনাশ।

**২** কিয় অস্থিৰ হৈ জাতি সমূহে যিহোৱাৰ বিৰুদ্ধাচৰণ কৰিছে?
কিয় লোক সমূহে অনৰ্থক ষড়যন্ত্ৰ কৰিছে? ২ যিহোৱা আৰু তেওঁৰ
অভিষিক্তজনাৰ বিৰুদ্ধে পৃথিবীৰ ৰজাসকল একেলগে থিয় হৈছে,
শাসনকৰ্তাসকলে একেলগে গোপন ষড়যন্ত্ৰ কৰিছে; ৩ তেওঁলোকে
কৈছে, "আহাঁ আমি তেওঁলোকৰ বন্ধন ছিঙি পেলাওঁ, আমাৰ ওপৰৰ
পৰা তেওঁলোকৰ শিকলিবোৰ পেলাই দিওঁ।" ৪ যিহোৱাই স্বৰ্গৰ
সিংহাসনত বহি হাঁহিছে; যিহোৱাই তেওঁলোকক বিদ্ৰূপ কৰিছে।
৫ তেওঁ ক্ৰোধ কৰি তেওঁলোকক ধমক দিব, তেওঁৰ প্ৰচণ্ড ক্ৰোধে
তেওঁলোকৰ মনত ভয় জন্মাব। ৬ যিহোৱাই কৈছে, "ময়েই মোৰ
পবিত্ৰ চিয়োন পৰ্ব্বতত মোৰ ৰজাক অভিষেক কৰিলোঁ।" ৭ ৰজাই
ক'ব, যিহোৱাই যি নিৰ্দেশ দিছে, মই তাক ঘোষণা কৰিম; যিহোৱাই
মোক কৈছে, "তুমি মোৰ পুত্ৰ, আজিয়েই মই তোমাক পিতৃৰূপে জন্ম
দিলোঁ। ৮ তুমি মোৰ ওচৰত বিচাৰা, তাতে মই তোমাক অধিকাৰৰ
অৰ্থে জাতিবোৰ দিম, পৃথিবীৰ সকলো সীমা তোমাৰ অধিকাৰলৈ
আহিব। ৯ লোহাৰ দণ্ডৰে তুমি তেওঁলোকক ভাঙি পেলাবা; কুমাৰৰ
মাটিৰ পাত্ৰৰ দৰে তুমি তেওঁলোকক চূৰ্ণ-বিচূৰ্ণ কৰিবা।" ১০ গতিকে,
হে ৰজাসকল, এতিয়া তোমালোকে জ্ঞানেৰে বুজি চলিবা; হে পৃথিবীৰ
শাসনকৰ্তাসকল, সাৱধান হোৱা। ১১ ভয়েৰে সৈতে যিহোৱাৰ সেৱা

কৰা; উল্লাসিত হৈ কম্পন কৰা।  ১২ তোমালোকে তেওঁৰ পুত্ৰক
সন্মানেৰে চুমা খোৱা, নহলে তেওঁ তোমালোকৰ ওপৰত ক্ৰুদ্ধ হ'ব,
তোমালোক নিজৰ পথতে বিনষ্ট হবা; কিয়নো তেওঁৰ ক্ৰোধ নিমিষতে
জ্বলি উঠিব পাৰে। ধন্য সেইসকল, যিসকলে তেওঁত আশ্ৰয় লয়।

৩ হে যিহোৱা চোৱা, মোৰ শত্ৰুৰ সংখ্যা কিমান বাঢ়িছে! মোৰ বিৰুদ্ধে
অনেকেই উঠিছে!  ২ অনেকে মোক কৈছে, “ঈশ্বৰে তোমাক সহায়
নকৰে।” (চেলা)  ৩ কিন্তু, হে যিহোৱা, তুমিয়েই মোৰ চাৰিওফালে ঢাল
হৈ আছা; তুমিয়েই মোৰ গৌৰৱ; তুমি মোৰ মূৰ উৰ্দ্ধত ৰাখিছা।  ৪ মই
চিঞঁৰি চিঞঁৰি যিহোৱাক মাতো; তাতে তেওঁ মোক তেওঁৰ পবিত্ৰ
পৰ্ব্বতৰ পৰা উত্তৰ দিয়ে। (চেলা)  ৫ মই শুই পৰিলো আৰু টোপনি
গলোঁ; পুনৰ সাৰ পালোঁ; কিয়নো যিহোৱাই মোক ৰক্ষা কৰে।  ৬ মোৰ
বিৰুদ্ধে মোৰ চাৰিওফালে হাজাৰ হাজাৰ লোক সজ্জিত হৈ আছে, কিন্তু
মই তেওঁলোকলৈ ভয় নকৰোঁ।  ৭ হে যিহোৱা উঠি আহাঁ! হে মোৰ
ঈশ্বৰ, মোক উদ্ধাৰ কৰা; তুমি মোৰ শত্ৰুবোৰৰ গালত আঘাত কৰা;
দুষ্টবোৰৰ দাঁত ভাঁঙি পেলোৱা।  ৮ পৰিত্ৰাণ যিহোৱাতে আছে; তোমাৰ
লোকসকলৰ ওপৰত তোমাৰ আশীৰ্ব্বাদ নামি আহঁক। (চেলা)

৪ হে মোৰ ধাৰ্মিকতাৰ ঈশ্বৰ, মই যেতিয়া তোমাক মাতো, তেতিয়া
তুমি মোক উত্তৰ দিয়া। বিপদে যেতিয়া মোক হেঁচি ধৰিলে, কিন্তু
তুমিয়ে মোক বহল ঠাই দিলা; মোক কৃপা কৰা; মোৰ প্ৰাৰ্থনা শুনা।
২ হে মনুষ্য, কিমান কালনো তোমালোকে মোৰ সন্মানক অসন্মান
কৰিবা? কিমান কালনো তোমালোকে অসাৰকে ভাল পাই থাকি
অসত্যৰ পাছে পাছে দৌৰিবা? (চেলা)  ৩ কিন্তু তোমালোকে জানি
থোৱা, যিহোৱাই নিজৰ ভক্তসকলক তেওঁৰ নিজৰ কাৰণে পৃথক
কৰিলে। মই মাতিলে, যিহোৱাই মোৰ প্ৰাৰ্থনা শুনে।  ৪ তোমালোকে
মনৰ ব্যাকুলতাত পাপ নকৰিবা; নিজৰ শয্যাত শুই তাক দকৈ মনতে
চিন্তা কৰি চাবা আৰু নিজম দি থাকিবা। (চেলা)  ৫ তোমালোকে যোগ্য
বলি উৎসৰ্গ কৰা, আৰু যিহোৱাত ভাৰসা ৰাখা।  ৬ অনেকে কয়,
“অহ! আমি যদি অলপমান মঙ্গলকে দেখা পালোহেঁতেন!” হে যিহোৱা,
তোমাৰ মুখৰ দীপ্তি আমাৰ ওপৰত প্ৰতিফলিত হওঁক।  ৭ প্ৰচুৰ শস্য

আৰু নতুন দ্ৰাক্ষাৰস উভৈনদী হ'লে যেনেকৈ আনন্দ হয়, তাতোকৈয়ো
অধিক আনন্দ দি তুমি মোৰ অন্তৰ পূৰ্ণ কৰি ৰাখিছা। ৮ মই শান্তিৰে
শুই টোপনি যাম। কাৰণ, হে যিহোৱা, কেৱল তুমিয়েই মোক নিৰাপত্তা
দি নিৰাপদে ৰাখিছা।

৫ হে যিহোৱা, মোৰ কথালৈ কাণ পাতা; মোৰ হুমুনিয়াহ শুনা। ২ হে
মোৰ ৰজা, মোৰ ঈশ্বৰ, তুমি মোৰ কাতৰোক্তিৰ স্বৰ শুনা; কিয়নো মই
তোমাৰ ওচৰতে প্ৰাৰ্থনা কৰিছোঁ। ৩ হে যিহোৱা, প্ৰতি ৰাতিপুৱাতে
তুমি মোৰ মাত শুনিবলৈ পোৱা; ৰাতিপুৱাই মই তোমাৰ সন্মুখত মোৰ
নিবেদন উৎসৰ্গ কৰি বাট চাই থাকো। ৪ তুমি দুষ্টতাত সন্তোষ পাওঁতা
ঈশ্বৰ নোহোৱা; দুষ্ট লোকে তোমাৰ লগত থাকিব নোৱাৰে। ৫ যিসকল
অহংকাৰী লোক, তেওঁলোক তোমাৰ চকুৰ সন্মুখত থিয় হ'ব নোৱাৰিব;
সকলো দুষ্কৰ্ম কৰা লোকক তুমি ঘৃণা কৰা। ৬ যিসকলে মিছা কথা
কয় তেওঁলোকক তুমি বিনষ্ট কৰিবা; যিহোৱাই ৰক্তপাতকাৰী আৰু
ছলনাকাৰীক ঘৃণা কৰে। ৭ কিন্তু মই তোমাৰ অসীম প্ৰেমৰ যোগেদি
তোমাৰ গৃহত সোমাম, মই ভয়েৰে সৈতে তোমাৰ পবিত্ৰ মন্দিৰৰ
ফাললৈ চাই মোৰ মূৰ নত কৰিম। ৮ হে যিহোৱা, মোৰ অনেক শত্ৰু
থকাৰ কাৰণে তুমি মোক তোমাৰ নিজ ধাৰ্মিকতাৰ পথত চলাই নিয়া;
তোমাৰ পথ মোৰ সন্মুখত সৰল কৰি দিয়া। ৯ মোৰ শত্ৰুবোৰৰ মুখত
সত্যতা নাই। সিহঁতৰ হৃদয়ত ধ্বংসৰ মনোভাৱ থাকে। সিহঁতৰ ডিঙিৰ
নলীবোৰ যেন মুকলি মৈদাম, সিহঁতে কপটভাৱে জিভাৰে প্ৰশংসাৰ
কথা কয়। ১০ হে ঈশ্বৰ, তুমি সিহঁতক নিজৰ দোষৰ ভাৰ বহন
কৰিবলৈ দিয়া; সিহঁত নিজ নিজ পৰামৰ্শতে পতিত হওঁক। সিহঁতৰ
অধিক অপৰাধৰ কাৰণে তুমি সিহঁতক খেদাই দিয়া; কিয়নো সিহঁতে
তোমাৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছে। ১১ কিন্তু যিসকলে তোমাত আশ্ৰয়
লয়, তেওঁলোক আনন্দিত হওঁক; তেওঁলোকে আনন্দেৰে চিৰকাল
গীত-গান কৰক, তেওঁলোকৰ ওপৰত তোমাৰ নিৰাপত্তা প্ৰসাৰিত কৰা
যাতে তোমাৰ নামক যিসকলে প্ৰেম কৰে, তেওঁলোকে তোমাত আনন্দ
পায়। ১২ কিয়নো হে যিহোৱা, যিসকল ধাৰ্মিক, তুমি তেওঁলোকক

আশীৰ্বাদ কৰা; তোমাৰ দয়াৰে তুমি তেওঁলোকক ঢালৰ নিচিনাকৈ
আৱৰি ৰাখিছা।

**৬** হে যিহোৱা, তুমি খঙত মোক ধমকি নিদিবা; তোমাৰ ক্ৰোধত
মোক শাসন নকৰিবা। ২ হে যিহোৱা, মোক কৃপা কৰা, কিয়নো মই
দুৰ্ব্বল; হে যিহোৱা মোক সুস্থ কৰা, কিয়নো মোৰ হাড়বোৰ ভয়তে
কঁপিছে। ৩ মোৰ প্ৰাণো ভয়তে ব্যাকুল হৈছে; হে যিহোৱা, এইদৰে
কিমান কাললৈ হৈ থাকিব? ৪ হে যিহোৱা, মোলৈ ঘূৰি চোৱা, মোৰ
প্ৰাণ ৰক্ষা কৰা; তোমাৰ অসীম প্ৰেমেৰে মোক উদ্ধাৰ কৰা। ৫ মৃত্যু
হ'লে তোমাক সোঁৱৰণ কৰা নহয়; চিয়োলত কোনে তোমাৰ প্ৰশংসা
কৰিব? (Sheol h7585) ৬ মই কেঁকাই কেঁকাই ক্লান্ত হৈ পৰিছো; গোটেই
নিশা কান্দি-কান্দি মই মোৰ শয্যা চকুৰ পানীৰে তিয়াও; মোৰ বিচনা
তিতি যায়। ৭ দুখতে মোৰ চকুৰ দৃষ্টি কমি গৈছে; শত্ৰুবোৰৰ কাৰণে
মোৰ চকু দুৰ্ব্বল হৈছে। ৮ হে দুষ্ট কাৰ্য কৰা লোকবিলাক, তোমালোক
সকলোৱেই মোৰ ওচৰৰ পৰা দূৰ হৈ যোৱা; কিয়নো যিহোৱাই মোৰ
ক্ৰন্দন শুনিছে। ৯ যিহোৱাই মোৰ নিবেদন শুনিলে; তেওঁ মোৰ প্ৰাৰ্থনা
গ্ৰহণ কৰিছে। ১০ মোৰ সকলো শত্ৰুবোৰ লজ্জিত হ'ব আৰু ভয়তে
ব্যাকুল হ'ব; সিহঁত ঘূৰি যাব আৰু হঠাৎ লাজত পৰিব।

**৭** হে মোৰ ঈশ্বৰ যিহোৱা, মই তোমাতেই আশ্ৰয় লৈছোঁ! মোৰ পাছে
পাছে খেদি অহাবোৰৰ পৰা মোক ৰক্ষা কৰা, মোক উদ্ধাৰ কৰা। ২
নহ'লে, সিংহৰ দৰে তেওঁলোকে মোক ছিন্ন-ভিন্ন কৰিব, সিহঁতে মোক
ডোখৰ ডোখৰ কৰিব, কিন্তু মোক ৰক্ষা কৰিবলৈ কোনো নাথাকিব। ৩
হে মোৰ ঈশ্বৰ যিহোৱা, যদি মই এনে কোনো কৰ্ম কৰি আছোঁ, যদি
অন্যায়ৰ কোনো কাৰ্য মোৰ হাতত লাগি আছে, ৪ যদি মোৰ বন্ধুৰ
প্ৰতি মই অপকাৰ কৰি আছোঁ, বা বিনা কাৰণতে মই মোৰ শত্ৰুৰ পৰা
কিবা বস্তু লৈছোঁ, ৫ তেনেহলে শত্ৰুৱে মোৰ পাছে পাছে খেদি গৈ
মোক ধৰক, সিহঁতে মোক মাটিত পেলাই ভৰিৰে গচকক, মোৰ মান-
সন্মান ধূলিত মিলাই দিয়ক। (চেলা) ৬ হে যিহোৱা, তুমি ক্ৰোধেৰে
উঠা, মোৰ শত্ৰুবোৰৰ ক্ৰোধৰ বিৰুদ্ধে নিজকে তুলি ধৰা, মোৰ অৰ্থে
তুমি সাৰ পোৱা; হে মোৰ ঈশ্বৰ, তুমি এক সোধ-বিচাৰ ধাৰ্য কৰিছা।

৭ সকলো জাতিৰ সমূহ লোক তোমাৰ চাৰিওফালে গোট খাওঁক;
তুমি উৰ্দ্ধলৈ উলটি গৈ পুনৰ লোক সকলৰ ওপৰত ৰাজত্ব কৰা। ৮
যিহোৱাই লোকসকলৰ বিচাৰ কৰে; হে যিহোৱা, মোৰ ধাৰ্মিকতাৰ
কাৰ্য আৰু মোত থকা সততা অনুসাৰে তুমি মোৰ বিচাৰ কৰা, হে মোৰ
সৰ্ব্বোপৰি জনা। ৯ হে মোৰ ধাৰ্মিক ঈশ্বৰ, তুমি মন আৰু হৃদয় পৰীক্ষা
কৰি থাকা; তুমি দুষ্টৰ দুষ্টতা শেষ কৰা, কিন্তু ধাৰ্মিক লোকক সুস্থিৰ
অৱস্থাত ৰাখা। ১০ ঈশ্বৰ মোৰ ঢাল; যিসকলৰ অন্তৰত সততা আছে,
তেওঁলোকক তেওঁ ৰক্ষা কৰে। ১১ ঈশ্বৰ এজন ন্যায়বিচাৰক, তেওঁ
প্ৰতিদিনে অন্যায়ৰ প্ৰতিবাদ কৰোঁতা ঈশ্বৰ। ১২ কোনোৱে যদি মন
পালটন নকৰে, তেন্তে তেওঁ নিজৰ তৰোৱাল ধৰাব; তেওঁ নিজৰ ধনু
ভিৰাই কাঁড় দি লক্ষ্য স্থিৰ কৰিছে। ১৩ তেওঁ অস্ত্ৰ-শস্ত্ৰ যুগুত কৰি
ৰাখিছে; নিজৰ জ্বলন্ত মৰণাস্ত্ৰবোৰ তৈয়াৰ কৰিছে। ১৪ ভাৰি চোৱা,
কেনেকৈ এজনে দুষ্টতাক গৰ্ভধাৰণ কৰে; সৰ্বনাশক গৰ্ভত লৈ প্ৰসৱ
বেদনা ভোগে আৰু ক্ষতিকাৰক মিছাক প্ৰসৱ কৰে। ১৫ তেওঁলোকে
মাটি খান্দি দ গাত কৰে, আৰু নিজেই খন্দা গাতত নিজে পৰে। ১৬
তেওঁলোকে কৰা ষড়যন্ত্ৰবোৰৰ ধ্বংস নিজৰ মূৰৰ ওপৰলৈকে ঘূৰি
আহে, তেওঁলোকে যি অনিষ্ট কৰে, সেয়া নিজৰ মূৰৰ ওপৰলৈকে নামি
আহে। ১৭ সেয়ে মই যিহোৱাৰ ধাৰ্মিকতাৰ ধন্যবাদ কৰিম, তেওঁ ন্যায়
বিচাৰ কৰে; মই সৰ্ব্বোপৰি যিহোৱাৰ প্ৰশংসাৰ গান কৰিম।

৮ হে আমাৰ প্ৰভু যিহোৱা, গোটেই পৃথিবীতে তোমাৰ নাম কেনে
মহৎ! তুমি তোমাৰ গৌৰৱ আকাশমণ্ডলৰ ওপৰত স্থাপন কৰিলা। ২
শিশু আৰু পিয়াহ খোৱা কেঁচুৱাৰ মুখৰ প্ৰশংসাৰে তোমাৰ শত্ৰুবোৰৰ
কাৰণে তুমি এক কোঁঠ স্থাপন কৰিলা, যাতে তোমাৰ শত্ৰু আৰু
প্ৰতিশোধ লোৱাসকলক তুমি স্তব্ধ কৰিব পাৰা। ৩ যেতিয়া মই তোমাৰ
হাতেৰে সৃষ্টি কৰা আকাশৰ ফালে চাওঁ আৰু তাত তুমি স্থাপন কৰা
চন্দ্ৰ আৰু তৰাবোৰলৈ চাওঁ, ৪ তেতিয়া মই ভাৱো, মানুহনো কি যে,
তুমি তেওঁলোকৰ বিষয়ে চিন্তা কৰা? মানুহৰ সন্তানেই বা কি, তুমি
যে তেওঁলোকৰ বুজ-বিচাৰ লোৱা? ৫ কিয়নো তুমি তেওঁলোকক
তোমাতকৈ অলপহে সৰু কৰি সৃজন কৰিলা, গৌৰৱ আৰু মৰ্য্যদাৰূপ

মুকুটেৰে তেওঁলোকক বিভুষিত কৰিলা। ৬ তোমাৰ হাতেৰে সৃষ্টি কৰা
সকলো বস্তুৰ ওপৰত তুমি মানুহক গৰাকী পাতিলা; সকলোকে তুমি
মানুহৰ ভৰিৰ তলত ৰাখিলা; সেইবোৰ - ৭ মেৰ-ছাগ, ষাঁড় আদিকে
ধৰি পথাৰৰ সকলো পশুৰ জাক, ৮ আকাশত উৰি ফুৰা পক্ষীবোৰ,
সমুদ্ৰৰ মাছবোৰ আৰু সাগৰৰ সোঁতত ঘূৰি ফুৰা অন্যান্য সকলো
প্ৰাণী। ৯ হে যিহোৱা, আমাৰ প্ৰভু, গোটেই পৃথিবীতে তোমাৰ নাম
কেনে মহৎ!

**৯** হে যিহোৱা, মই মোৰ সমস্ত হৃদয়েৰে তোমাৰ ধন্যবাদ কৰিম,
আৰু তোমাৰ সকলো আচৰিত কাৰ্যবোৰ বৰ্ণনা কৰিম। ২ মই তোমাক
লৈ আনন্দিত হৈ উল্লাস কৰিম; হে সৰ্ব্বোপৰি জনা, মই তোমাৰ
নামত প্ৰশংসাৰ গান কৰিম! ৩ মোৰ শত্ৰুবোৰ যেতিয়া উলটি গ'ল,
তেতিয়া তেওঁলোক তোমাৰ সন্মুখত উজুটি খাই বিনষ্ট হ'ল। ৪ তোমাৰ
সিংহাসনত বহি, তুমি ন্যায় বিচাৰ কৰিছা। কিয়নো তুমিয়েই মোৰ
বিচাৰ কৰি মোৰ পক্ষে ৰায় দিছা। ৫ তুমি আন জাতিবোৰক ধমকি
দিছা, দুষ্টবোৰক বিনষ্ট কৰিছা; তেওঁলোকৰ নাম তুমি চিৰকাললৈকে
মচি পেলালা। ৬ শত্ৰুবোৰ চিৰদিনৰ কাৰণে ধ্বংসৰ ভগ্নাৱশেষৰ
দৰে হ'ল; তাৰ নগৰবোৰ তুমি উভালি পেলালা, সেইবোৰৰ নাম
তুমি মচি পেলালা। ৭ কিন্তু যিহোৱাই চিৰকাল ৰাজত্ব কৰে; তেওঁ
সোধ-বিচাৰৰ কাৰণে নিজৰ সিংহাসন স্থাপন কৰিছে। ৮ তেওঁ
ধাৰ্মিকতাৰে জগতৰ বিচাৰ কৰে, তেওঁ সৎভাৱে জাতিবোৰৰ শাসন
কৰে। ৯ উপদ্ৰৱ পোৱাসকলৰ কাৰণে যিহোৱা উচ্চ দুৰ্গস্বৰূপ হ'ব;
তেওঁলোকৰ সংকটৰ সময়ত তেওঁ দুৰ্গ হয়। ১০ যিসকলে তোমাক
জানে, তেওঁলোকে যেন তোমাত ভাৰসা ৰাখে, কিয়নো হে যিহোৱা,
যিসকলে তোমাক বিচাৰে, তেওঁলোকক তুমি পৰিত্যাগ নকৰা। ১১
যিহোৱা চিয়োনত আছে। তোমালোকে যিহোৱাৰ উদ্দেশ্যে প্ৰশংসাৰ
গীত গোৱা; জাতিবোৰৰ মাজত তেওঁ কৰা কাৰ্যবোৰ ঘোষণা কৰা।
১২ কিয়নো যিজনে ৰক্তপাতৰ প্ৰতিশোধ লয়, ঈশ্বৰে তেওঁক পাহৰি
নাযায়; পীড়িতসকলৰ ক্ৰন্দন তেওঁ কেতিয়াও নাপাহৰে। ১৩ হে
যিহোৱা, মোক কৃপা কৰা; চোৱা, ঘিণাওঁতা সকলৰ দ্বাৰা মই কেনে

উপদ্ৰৱ পাইছো। মৃত্যুৰ দুৱাৰৰ পৰা মোক ৰক্ষা কৰা। ১৪ মই তোমাৰ
প্ৰশংসা প্ৰচাৰ কৰিম; চিয়োন জীয়াৰীৰ দুৱাৰত তোমাৰ দ্বাৰা পোৱা
উদ্ধাৰত মই আনন্দ কৰিম! ১৫ আন জাতিবোৰ নিজে খন্দা গাতত
ডুবিল; তেওঁলোকে লুকুৱাই পাতি থোৱা জালত তেওঁলোকৰেই ভৰি
লাগিল। ১৬ ন্যায় বিচাৰ কৰি যিহোৱাই নিজৰ পৰিচয় দিলে; তেওঁ
দুষ্টবোৰক তেওঁলোকৰ হাতে কৰা কামৰ ফান্দত পেলায়। (হিগায়োন,
(চেলা) ১৭ যি জাতিয়ে ঈশ্বৰক পাহৰি যায়, তেনে দুষ্টবোৰৰ মৃত্যু হ'ব
আৰু চিয়োললৈ (মৈদামলৈ) ঘূৰি যাব; (Sheol h7585) ১৮ অভাৱীসকলক
চিৰদিন পাহৰি যোৱা নহ'ব, অসহায়সকলৰ আশা কেতিয়াও অসম্পূৰ্ণ
হৈ নাথাকিব। ১৯ হে যিহোৱা, তুমি উঠা; মানুহক তোমাৰ ওপৰত জয়ী
হ'বলৈ নিদিবা; তোমাৰ সন্মুখত আন জাতিবোৰৰ বিচাৰ হওঁক। ২০
হে যিহোৱা, তেওঁলোকৰ মন আতঙ্কিত হওঁক; আন জাতিবোৰে জানক
যে, তেওঁলোক কেৱলমাত্ৰ মানুহ। (চেলা)

**১০** হে যিহোৱা, তুমি কিয় দূৰৈত বৈ আছা? সঙ্কটৰ সময়ত কিয়
তুমি নিজকে লুকুৱাই ৰাখা? ২ অহংকাৰৰ কাৰণে দুষ্টলোকে দৰিদ্ৰক
নিৰ্যাতিত কৰে; তেওঁলোকৰ নিজৰ কু-পৰিকল্পনাত তেওঁলোক
নিজেই ধৰা পৰক; ৩ দুষ্টলোকে নিজৰ মনৰ দুষ্ট ইচ্ছাত অহংকাৰ
কৰে; লুভীয়া লোকে নিজৰ লাভৰ বাবে যিহোৱাক অভিশাপ দিয়ে
আৰু তেওঁক হেয়জ্ঞান কৰে। ৪ দুষ্টলোকে নিজৰ সমৰ্থনত গৰ্ব্ব কৰি
কয়; "ঈশ্বৰে ইয়াক বিচাৰি নাপাব;" তেওঁলোকৰ চিন্তাবোৰ এয়ে যে,
"ঈশ্বৰ বুলি কোনো নাই।" ৫ সকলো সময়তে তেওঁলোক সফলতাৰ
পথত আগবাঢ়ি যায়; তোমাৰ ন্যায় বিচাৰ ইমান ওপৰত আছে যে,
সেয়া তেওঁলোকৰ চকুৰ দৃষ্টিৰ বাহিৰত; তেওঁলোকে নিজৰ সকলো
শত্ৰুকে তুচ্ছ কৰে। ৬ তেওঁলোকে মনতে কয়, "একোৱেই মোক
লৰচৰ কৰিব নোৱাৰিব। আমাৰ সকলো পুৰুষতে কোনো কালে বিপদ
নহ'ব।" ৭ তেওঁলোকৰ মুখ অভিশাপ, ছলনা আৰু অত্যাচাৰী কথাৰে
পৰিপূৰ্ণ; তেওঁলোকৰ জিভাৰ তলত অন্যায় আৰু অপৰাধৰ কথা
থাকে। ৮ গাৱঁৰ ওচৰত তেওঁলোকে গোপনে খাপ পাতি বহি থাকে;
সেই গোপন ঠাইতে তেওঁলোকে নিৰ্দ্দোষীক হত্যা কৰে; কোনোবাই

অসহায়ৰ ওপৰত গোপনে লক্ষ্য ৰাখি খাপ দি থাকে। ৯ তেওঁলোকে
গুপুত ঠাইত খাপ পাতি সিংহৰ দৰে প্ৰতীক্ষাত থাকে; তেওঁলোকে
প্ৰতীক্ষা কৰি থাকে যাতে অসহায় দৰিদ্ৰজনক ধৰিব পাৰে; তাৰ পাছত
তেওঁলোকে দৰিদ্ৰজনক ধৰি চোঁচোৰাই লৈ নিজৰ জালত পেলায়। ১০
তেওঁলোকে চাপৰি কুঁজা হৈ অসহায়জনক তেওঁলোকৰ শক্তিত আৱদ্ধ
কৰে। ১১ তেওঁলোকে নিজৰ মনতে ভাৱে, "ঈশ্বৰে পাহৰিলে; তেওঁ
নিজৰ মুখ লুকুৱাই থৈছে; তেওঁ কেতিয়াও আমাক দেখা নাপাব।"
১২ হে যিহোৱা, উঠা; হে ঈশ্বৰ তোমাৰ হাত তুলি ধৰা; নিৰ্যাতিত
সকলক পাহৰি নাযাবা। ১৩ দুষ্টবোৰে ঈশ্বৰক কিয় তুচ্ছ বুলি ভাৱে?
তেওঁলোকে কিয় মনে মনে ভাৱে যে, "তেওঁ আমাৰ ওচৰত কোনো
হিচাব নিবিচাৰিব?" ১৪ কিন্তু, হে ঈশ্বৰ, তুমি হ'লে দেখা পোৱা;
অৱশ্যেই তুমি দুখ-কষ্ট আৰু সঙ্কটলৈ চকু দিয়া, তুমি তোমাৰ হাতেৰেই
ইয়াৰ ব্যৱস্থা ল'ব পাৰা; অসহায়জনে তোমাৰ ওচৰতে নিজক সমৰ্পণ
কৰে; তুমিয়েইতো অনাথক সহায় কৰোঁতা জনা ১৫ দুষ্ট আৰু অসৎ
লোকৰ ক্ষমতাৰ বাহু তুমি ভাঙি পেলোৱা; তেওঁলোকৰ সকলো অন্যায়
কাৰ্যৰ শেষ পৰ্যন্ত হিচাব বিচাৰ কৰা। ১৬ যিহোৱা চিৰকালৰ ৰজা;
তেওঁৰ দেশৰ পৰা জাতিবোৰ ধ্বংস হৈ যাব। ১৭ হে যিহোৱা, নম্ৰ
লোকৰ অন্তৰৰ ইচ্ছাৰ কথা তুমি শুনিবা; তুমি তেওঁলোকৰ হৃদয়ত
সাহস দিবা, তুমি তেওঁলোকৰ প্ৰাৰ্থনালৈ কাণ দিবা; ১৮ এই পৃথিৱীৰ
লোকে তেওঁলোকক যেন পুনৰ ভয় দেখুৱাব নোৱাৰিব; তাৰবাবে
তুমিয়েই অনাথ আৰু নিৰ্য্যাতিত লোকসকলৰ পক্ষত থিয় হ'ব পাৰা।
**১১** মই যিহোৱাতে আশ্ৰয় লৈছোঁ। তোমালোকে কেনেকৈ মোক ক'ব
পাৰা, "পক্ষীৰ দৰে উৰি পৰ্ব্বতলৈ পলাই যোৱা?" ২ কিয়নো চোৱা!
শুদ্ধ অন্তৰৰ লোকক আন্ধাৰৰ পৰা আহত কৰিবৰ কাৰণে দুষ্টবোৰে
নিজৰ ধনু ভিৰাই লৈছে, তেওঁলোকে তাত কাঁড় লগাইছে। ৩ যদি
ভিত্তিমূলবোৰ ধ্বংস কৰা হয়, তেন্তে ধাৰ্মিকসকলে কি কৰিব পাৰিব?
৪ কিন্তু যিহোৱা, তেওঁৰ পবিত্ৰ মন্দিৰত আছে; তেওঁৰ সিংহাসন স্বৰ্গতে
আছে। তেওঁ মানুহলৈ চাই থাকে, তেওঁৰ চকুৱে মানুহক পৰীক্ষা
কৰে। ৫ যিহোৱাই ধাৰ্মিক আৰু দুষ্ট সকলোকে পৰীক্ষা কৰে; কিন্তু

যিবোৰ দুষ্ট, অত্যাচাৰপ্ৰিয়, তেনেলোকক তেওঁ ঘৃণা কৰে। ৬ তেওঁ দুষ্ট
লোকৰ ওপৰত জ্বলন্ত অগ্নি আৰু গন্ধক বৰ্ষাব; তেওঁৰ পাত্ৰৰ পৰা দগ্ধ
কৰি নিয়া বতাহ তেওঁলোকৰ ভাগত হ'ব। ৭ যিহোৱা ধাৰ্মিক, আৰু
ধাৰ্মিকতা তেওঁ ভাল পায়; সৎ লোকে তেওঁৰ মুখ দেখা পাব।

**১২** হে যিহোৱা সহায় কৰা; তোমাৰ ভক্তসকল নোহোৱা হ'ল;
বিশ্বাসীসকল মনুষ্যৰ মাজৰ পৰা অদৃশ্য হৈ গ'ল। ২ মানুহে মানুহৰ
ওচৰত মিছা কথা কয়; তেওঁলোকে তৈলমৰ্দনকাৰী ওঁঠ আৰু ছলনা
ভৰা দুই মনৰ অন্তৰেৰে কথা কয়। ৩ তেওঁলোকৰ তৈলমোদী ওঁঠ
আৰু ভীষণ গৰ্বিত জিভাক যেন যিহোৱাই কাটি পেলায়; ৪ সেই
সকলে কয়, “আমাৰ জিভাৰেই আমি জয় কৰিম; আমাৰ ওঁঠ যেতিয়া
আমাৰ নিজৰেই, কোন আমাৰ ওপৰত প্ৰভু হ'ব?” ৫ যিহোৱাই
কৈছে, “দুখীসকলৰ উপদ্ৰৱ আৰু অভাৱীসকলৰ কেঁকনিৰ কাৰণে মই
এতিয়া জাগি উঠিম। নিৰাপত্তা কামনা কৰা সকলক মই নিৰাপদে
ৰাখিম।” ৬ যিহোৱাৰ প্ৰতিজ্ঞাবোৰ বিশুদ্ধ। সেইবোৰ যেন মাটিত
বহোৱা এক অগ্নিশালত শোধন কৰা ৰূপ; সাতবাৰকৈ বিশুদ্ধ কৰা
ৰূপ। ৭ হে যিহোৱা, তুমিয়েই আমাক নিৰাপদে ৰাখিবা। এই কালৰ
লোকসকলৰ হাতৰ পৰা চিৰকাল আমাক ৰক্ষা কৰিবা। ৮ লোকসকলৰ
মাজত যেতিয়া দুষ্টতা আদৰণীয় হয়, দুষ্টবোৰে তেতিয়া বিনা বাধাই
চাৰিওফালে ঘূৰি ফুৰে।

**১৩** হে যিহোৱা, আৰু কিমান কাল? তুমি চিৰকালেই মোক পাহৰি
থাকিবা নেকি? মোৰ পৰা কিমান দিনলৈ তুমি তোমাৰ মুখ লুকুৱাই
ৰাখিবা? ২ কিমান দিনলৈনো মই মোৰ মনৰ মাজত দুখৰ বোজা বহন
কৰি প্ৰতিদিনে অন্তৰত বেদনা লৈ থাকিব লাগিব? কিমান দিনলৈ
তুমি মোৰ শত্ৰুক মোৰ ওপৰত উন্নত কৰি ৰাখিবা? ৩ হে মোৰ ঈশ্বৰ
যিহোৱা, মোলৈ দৃষ্টি কৰা, মোক উত্তৰ দিয়া! মোৰ দুচকু আলোকিত
কৰা, নহলে মই মৃত্যুনিদ্ৰাত টোপনি যাম। ৪ মোৰ শত্ৰুৱে তেতিয়া
ক'ব, “মই জয়ী হলোঁ;” মই অস্থিৰ হোৱাত শত্ৰুবোৰে আনন্দ কৰিব।
৫ কিন্তু মই তোমাৰ দৃঢ় প্ৰেমত ভাৰসা কৰিছোঁ; তুমি মোক পৰিত্ৰাণ

কৰিবা আৰু মোৰ মন আনন্দিত হ’ব। ৬ মই যিহোৱাৰ উদেশ্যে গান
গাম, কিয়নো তেওঁ মোলৈ মঙ্গল আচৰণ কৰিছে।

**১৪** এজন অজ্ঞানীয়ে, তেওঁৰ অন্তৰত কয়, “ঈশ্বৰ বুলি কোনো নাই।”
তেওঁলোক ভ্ৰষ্ট হৈছে, তেওঁলোকে জঘন্য কাৰ্যবোৰ কৰে; তেওঁলোকৰ
মাজত সৎ কাৰ্য কৰোঁতা কোনো নাই; ২ যিহোৱাই স্বৰ্গৰ পৰা তললৈ
মানুহৰ ফালে লক্ষ্য কৰি থাকে; তেওঁ চাব বিচাৰে, প্ৰকৃতাৰ্থত কোনো
জ্ঞানী আছে নে নাই; তেওঁ চাব বিচাৰে, ঈশ্বৰক বিচাৰা কোনো জ্ঞানী
আছে নে নাই। ৩ তেওঁ দেখিলে, সকলোৱেই অপথে গ’ল; সকলো
উচ্ছৃঙ্খল হ’ল; সৎকৰ্ম কৰোঁতা কোনো নাই, এজনো নাই। ৪ যিসকলে
দুষ্টতাৰ কাৰ্য কৰে, তেওঁলোক কি ইমানেই জ্ঞানশূন্য যে, মানুহে নিজৰ
আহাৰ খোৱাৰ নিচিনাকৈ তেওঁলোকে মোৰ লোকসকলক খাই পেলায়
আৰু তেওঁলোকে যিহোৱাৰ ওচৰত প্ৰাৰ্থনাও নকৰে?” ৫ ঈশ্বৰ তেওঁৰ
ভক্তসকলৰ সঙ্গত থাকে। সেয়ে সেই লোকসকল তাত ভীষণ ভয়ৰ
মাজত থাকিব। ৬ দুষ্টতাৰ কাৰ্য কৰা যি তোমালোক, তোমালোকে
দুখীয়াৰ পৰিকল্পনা ব্যৰ্থ কৰিবা, কিন্তু যিহোৱা তেওঁলোকৰ আশ্ৰয়। ৭
অহ! ইস্ৰায়েলৰ উদ্ধাৰ চিয়োনৰ মাজৰ পৰা আহক! যিহোৱাই যেতিয়া
তেওঁৰ লোকসকলৰ অৱস্থা পুনৰ পৰিবৰ্তন কৰিব, তেতিয়া যাকোবৰ
বংশই আনন্দ কৰিব; ইস্ৰায়েলীয়াসকল উল্লাসিত হ’ব।

**১৫** হে যিহোৱা তোমাৰ আবাস-তম্বুত বাস কৰাৰ যোগ্য কোন?
তোমাৰ পবিত্ৰ পৰ্ব্বতত বসতি কৰাৰ যোগ্য কোন? ২ সেই সকলেই
যোগ্য, যিসকলে সৎ জীৱন কটায়, ন্যায় কৰ্ম কৰে, সত্য ভৰা অন্তৰেৰে
কথা কয়; ৩ যিসকলৰ জিভাই পৰচৰ্চ্চা নকৰে, বন্ধুৰ ক্ষতি নকৰে,
চুবুৰীয়াৰ বিৰুদ্ধে কু-ব্যৱহাৰ নকৰে, ৪ যি সকলৰ দৃষ্টিত দুষ্টলোক
ঘৃণনীয়, কিন্তু যিহোৱাক ভয় কৰা লোকসকল আদৰণীয়, যি জনে
নিজৰ ক্ষতি হ’লেও শপত ৰক্ষা কৰে, ৫ যি জনে সুদ নলোৱাকৈ ধাৰ
দিয়ে, আৰু ভেঁটি লৈ নিৰ্দ্দোষীৰ ক্ষতি নকৰে। যি সকলে এইবোৰ কৰ্ম
কৰে, তেওঁলোক সকলো সময়তে স্থিৰে থাকিব।

**১৬** হে ঈশ্বৰ, তুমি মোক ৰক্ষা কৰা, কিয়নো মই তোমাতেই আশ্ৰয়
লৈছোঁ। ২ মই যিহোৱাক ক’লোঁ, “তুমিয়েই মোৰ প্ৰভু; তোমাৰ বাহিৰে

মোৰ আন কতো মঙ্গল নাই।” ৩ পৃথিবীত যি সকল পবিত্ৰ লোক থাকে
তেওঁলোক মহান; তেওঁলোকৰ ওপৰতে মোৰ আনন্দ সম্পূৰ্ণ হয়। ৪
যিসকলে আন দেৱতাক মনোনীত কৰে, তেওঁলোকৰ অধিক যাতনা
হ’ব, তেওঁলোকৰ দেৱতাৰ উদ্দেশ্যে অনা তেজৰ যি পেয় নৈবেদ্য, মই
তাক উৎসৰ্গ নকৰিম; দেৱতাৰ নামো মোৰ ওঁঠত নলম। ৫ যিহোৱা,
তুমিয়েই মোৰ আধিপত্যৰ মনোনীত ভাগ আৰু মোৰ পান-পাত্ৰ; মোৰ
ভৱিষ্যত তোমাৰ হাততে আছে। ৬ মোৰ সীমাৰ মাজত যি ঠাই
পৰিছে, সেয়ে মনোহৰ ঠাই, অৱশ্যেই মোৰ এক মনোমোহা আধিপত্য
আছে। ৭ যি জনাই মোক সুবুদ্ধি দিয়ে, মই সেই যিহোৱাৰ ধন্যবাদ
কৰিম; ৰাতিও মোৰ হৃদয়ে মোক শিক্ষা দিয়ে। ৮ মই যিহোৱাক সদায়
মোৰ সন্মুখত ৰাখোঁ; তেওঁ মোৰ সোঁহাতে থকাত মই অস্থিৰ নহম।
৯ এই কাৰণে মোৰ মন আনন্দেৰে ভৰা, মোৰ হৃদয়ে উল্লাস কৰে;
মোৰ শৰীৰ নিৰাপদে থাকিব। ১০ কিয়নো তুমি মোৰ প্ৰাণ চিয়োলত
ত্যাগ নকৰিবা, তোমাৰ ভক্তজনক গাতত ক্ষয় পাবলৈ নিদিবা। **(Sheol
h7585)** ১১ তুমি মোক জীৱনৰ পথ শিকাইছা; তোমাৰ উপস্থিতিত আছে
পৰিপূৰ্ণ আনন্দ; তোমাৰ সোঁ-হাতত আছে অনন্ত সুখ।

**১৭** হে যিহোৱা, তুমি ন্যায় কথা শুনা; মোৰ কাতৰোক্তিলৈ মনোযোগ
দিয়া; ছলনাকাৰী ওঁঠেৰে নকৰা মোৰ প্ৰাৰ্থনালৈ কাণ পাতা। ২ মোৰ
ওপৰত তোমাৰ বিচাৰ যেন ন্যায্য হয়; যি সত্য, তাক তোমাৰ দুচকুৱে
দেখক। ৩ যদি তুমি মোৰ হৃদয় পৰীক্ষা কৰা; ৰাতি মোৰ কাষলৈ আহাঁ;
যদি মোক খপি পুৰি পৰীক্ষাও কৰা, তুমি মোত একো দুষ্টতা বিচাৰি
নাপাবা; মই সিদ্ধান্ত কৰিলোঁ, মোৰ মুখে অপৰাধ নকৰে। ৪ মানুহে
যিবোৰ কাৰ্য কৰে, সেয়া নকৰি, মই তোমাৰ ওঁঠৰ বাক্যৰ সহায়ত
উচ্ছৃঙ্খল পথৰ পৰা মই নিজকে পৃথক কৰি ৰাখিছোঁ। ৫ তোমাৰ পথতে
মই মোৰ ভৰি স্থিৰে ৰাখিছো; মোৰ ভৰি পিছল খোৱা নাই। ৬ হে
ঈশ্বৰ, মই তোমাৰ ওচৰত প্ৰাৰ্থনা কৰিছোঁ, কিয়নো তুমি মোক উত্তৰ
দিবা; মোৰ প্ৰাৰ্থনালৈ কাণ পাতা, মোৰ কথা শুনা। ৭ তোমাৰ গভীৰ
প্ৰেম, আশ্চৰ্যভাৱে প্ৰকাশ কৰা; হে ত্ৰাণকৰ্তা, শত্ৰুৰ হাতৰ পৰা ৰক্ষা
পাবৰ কাৰণে যি সকলে তোমাত আশ্ৰয় লয়, তুমি তেওঁলোকক তোমাৰ

সোঁ-হাতেৰে ৰক্ষা কৰা। ৮ চকুৰ মণিৰ দৰেই তুমি মোৰ ৰক্ষক হোৱা;
তুমি মোক তোমাৰ ডেউকাৰ ছাঁত লুকুৱাই ৰাখা; ৯ যি সকলে মোৰ
ওপৰত উৎপীড়ন কৰে, সেই দুষ্ট লোকসকলৰ পৰা, যিসকলে প্ৰাণ-
নাশৰ কাৰণে মোক ঘেৰি ৰাখিছে, সেই শত্ৰুবোৰৰ পৰা, তুমি মোক
তোমাৰ ডেউকাৰ তলত লুকুৱাই ৰাখা। ১০ তেওঁলোকে তেওঁলোকৰ
হৃদয়ত থকা মমতাৰ দুৱাৰ বন্ধ কৰি ৰাখিছে, তেওঁলোকে মুখেৰে
অহংকাৰৰ কথা কয়; ১১ তেওঁলোকে মোক বিচাৰিলে আৰু এতিয়া
মোক চাৰিওফালে ঘেৰি ধৰিছে; তেওঁলোকে মোৰ ওপৰত চোকা দৃষ্টি
ৰাখিছে, যাতে মোক মাটিত পেলাব পাৰে। ১২ তেওঁলোক চিকাৰ
ছিৰা-ছিৰ কৰিবলৈ আগ্ৰহী হোৱা সিংহৰ নিচিনা; গোপনে খাপ পাতি
থকা ডেকা সিংহৰ সদৃশ। ১৩ হে যিহোৱা, তুমি উঠা, তেওঁলোকক
আক্ৰমণ কৰা, তেওঁলোকক দলিয়াই পেলোৱা; তোমাৰ তৰোৱালৰ
দ্বাৰাই দুষ্ট লোকৰ পৰা মোৰ জীৱন ৰক্ষা কৰা। ১৪ হে যিহোৱা, মৰ্ত্যৰ
লোকসকলৰ পৰা তোমাৰ নিজ হাতেৰে মোক ৰক্ষা কৰা; সেই মৰ্ত্য
লোকসকলৰ পৰা মোক ৰক্ষা কৰা, যিসকলৰ জীৱনৰ অংশ কেৱল
এই পৃথিৱীতে আছে। তোমাৰ বহুমূল্য সম্পদেৰে তেওঁলোকৰ উদৰ
পূৰ হওঁক, তেওঁলোকৰ সন্তানৰ সংখ্যা অনেক হওঁক, শিশুসকলৰ
কাৰণে তেওঁলোকে নিজৰ ধন-সম্পদ ৰাখি যাওঁক। ১৫ কিন্তু মই
হ'লে ধাৰ্মিকতাৰ গুণে তোমাৰ মুখ দেখা পাম; মই যেতিয়া সাৰ পাম,
তোমাৰ প্ৰতিমূৰ্তি দেখি মই পৰিতৃপ্ত হম।

**১৮** হে যিহোৱা, তুমিয়েই মোৰ বল; মই তোমাক অতি প্ৰীতি কৰোঁ।
২ যিহোৱাই মোৰ শিলা, মোৰ আশ্ৰয়ৰ কোঁঠ আৰু মোৰ উদ্ধাৰকৰ্তা;
তেওঁ মোৰ ঈশ্বৰ, মোৰ দুৰ্গ, মই তেওঁতে আশ্ৰয় লৈছোঁ; তেওঁ মোৰ
ঢাল, মোৰ ত্ৰাণৰ শিং, মোৰ উচ্চ আশ্ৰয়স্থান। ৩ যিহোৱা প্ৰশংসাৰ
যোগ্য; মই তেওঁৰ আগত প্ৰাৰ্থনা কৰোঁ; তাতে মোৰ শত্ৰুবোৰৰ
হাতৰ পৰা মই উদ্ধাৰ পাওঁ। ৪ মৃত্যু-জৰীত মই বান্ধ খাই পৰিছিলোঁ,
পৰকালৰ ধ্বংসৰ স্ৰোতত মই জৰ্জৰিত হৈছিলো। ৫ চিয়োলৰ জৰীয়ে
মোক মেৰাই ধৰিছিল, মোৰ বাবে মৃত্যুৰ ফান্দ পতা হৈছিল। **(Sheol
h7585)** ৬ সঙ্কটৰ কালত মই যিহোৱাক মাতিলো, সহায় বিচাৰি মোৰ

ঈশ্বৰৰ ওচৰত কাতৰোক্তি জনালোঁ; তেওঁ নিজ মন্দিৰৰ পৰা মোৰ
মাত শুনিলে, মোৰ কাতৰোক্তি তেওঁৰ ওচৰলৈ গ'ল আৰু তেওঁৰ
কাণত পৰিল। ৭ তেতিয়া পৃথিৱী কঁপি উঠিল, জোকাৰ খাবলৈ ধৰিলে;
পৰ্বতৰ ভিত্তিমূলবোৰ জোকাৰণিত কঁপি উঠিল; কিয়নো তেওঁৰ ক্ৰোধত
সেইবোৰ কঁপি উঠিল। ৮ তেওঁৰ নাকৰ পৰা ধোঁৱা ওলাই ওপৰলৈ
উঠিল, তেওঁৰ মুখৰ পৰা গ্ৰাসকাৰী জুই ওলাই আহিল; তেওঁৰ মুখৰ
জুইৰ পৰা আঙঠা ওলাই জ্বলি থাকিল। ৯ তেতিয়া তেওঁ আকাশমণ্ডল
মুকলি কৰি তললৈ নামি আহিল; তেওঁৰ ভৰিৰ তলত আছিল ঘন ক'লা
মেঘ। ১০ তেওঁ কৰূবত উঠি উড়ি আহিল, বায়ুৰূপ ডেউকাত উঠি
শীঘ্ৰে উৰি আহিল। ১১ তেওঁ অন্ধকাৰেৰে নিজকে চাৰিওফালে ঢাকি
ৰাখিলে; চাৰিওফালে থকা আকাশৰ ঘন ক'লা বৰষুণৰ মেঘবোৰক
তেওঁ তম্বুৰূপে স্থাপন কৰিলে। ১২ তেওঁৰ সন্মুখৰ দীপ্তিময় উপস্থিতিৰ
পৰা ক'লা মেঘবোৰ ভেদ কৰি, শিলাবৃষ্টি আৰু জ্বলি থকা আঙঠা
পৰিবলৈ ধৰিলে। ১৩ যিহোৱাই নিজেও আকাশত গৰ্জ্জন কৰিলে;
সৰ্ব্বোপৰি জনাৰ মাত শুনা গ'ল। ১৪ তেওঁ কাঁড় মাৰি শত্ৰুবোৰক
থানবান কৰিলে, আৰু বজ্ৰ বৰ্ষণৰ দ্বাৰা তেওঁলোকক ব্যাকুল কৰিলে।
১৫ হে যিহোৱা, তোমাৰ ধমক আৰু তোমাৰ নাকৰ নিশ্বাসৰ প্ৰভাৱত
সাগৰৰ তলি দেখা গ'ল; পৃথিবীৰ মূলবোৰ অনাবৃত হ'ল। ১৬ তেওঁ
ওপৰৰ পৰা হাত আগবঢ়াই মোক ধৰিলে, মহাজল সমূহৰ পৰা মোক
তুলি আনিলে। ১৭ মোৰ শক্তিশালী শত্ৰুবোৰৰ পৰা তেওঁ মোক উদ্ধাৰ
কৰিলে, যি সকলে মোক ঘৃণা কৰে, তেওঁলোকৰ হাতৰ পৰাও মোক
উদ্ধাৰ কৰিলে; তেওঁলোক মোতকৈ অতিশয় শক্তিশালী আছিল। ১৮
বিপদৰ কালত তেওঁলোকে মোক আক্ৰমণ কৰিছিল, কিন্তু যিহোৱাই
মোক ধৰি ৰাখিলে। ১৯ তেওঁ মোক এক বহল ঠাইলৈ উলিয়াই
আনিলে; তেওঁ মোক উদ্ধাৰ কৰিলে, কাৰণ তেওঁ মোৰ ওপৰত সন্তুষ্ট
আছিল। ২০ যিহোৱাই মোৰ ধাৰ্মিকতা অনুসাৰে মোক পুৰস্কাৰ দিলে,
মোৰ হাতৰ শুদ্ধ কাৰ্য অনুসাৰে মোক ফল দিলে। ২১ কিয়নো মই
যিহোৱাৰ পথতে চলিলোঁ, কুকৰ্ম কৰি মই মোৰ ঈশ্বৰক নেৰিলো।
২২ তেওঁৰ সকলো ব্যৱস্থা মোৰ সন্মুখত আছে, মই তেওঁৰ বিধিবোৰ

মোৰ পৰা দুৰ কৰা নাই। ২৩ তেওঁৰ দৃষ্টিত মই সিদ্ধ আছিলোঁ,
পাপ-অপৰাধৰ পৰা মই নিজকে আঁতৰাই ৰাখিলোঁ। ২৪ এই কাৰণে
যিহোৱাই মোৰ ধাৰ্মিকতা অনুসাৰে, তেওঁৰ দৃষ্টিত মোৰ হাতৰ শুচি
কাৰ্য অনুসাৰে মোক পুৰস্কাৰ দিলে। ২৫ হে যিহোৱা তুমি বিশ্বস্তজনৰ
সৈতে বিশ্বস্ত ব্যৱহাৰ কৰা; নিৰ্দোষীজনৰ সৈতে নিৰ্দোষ ব্যৱহাৰ
কৰা। ২৬ তুমি শুচি লোকৰ সৈতে শুচি ব্যৱহাৰ কৰা, কুটিল লোকলৈ
নিষ্ঠুৰ ব্যৱহাৰ কৰা। ২৭ কাৰণ তুমি দুখীসকলক ৰক্ষা কৰা, কিন্তু
গৰ্ব্বী চকুক তললৈ নমাই আনা। ২৮ কিয়নো মোৰ জীৱন-প্ৰদীপ
তুমিয়েই জ্বলাই ৰাখা; হে মোৰ ঈশ্বৰ যিহোৱা, মোৰ অন্ধকাৰক পোহৰ
কৰি দিয়া। ২৯ তোমাৰ সহায়তে মই সৈন্যদলৰ ওপৰত জপিয়াই
পৰিব পাৰোঁ, মোৰ ঈশ্বৰৰ সহায়ত মই জাঁপ মাৰি নগৰৰ গড় পাৰ
হ'ব পাৰোঁ। ৩০ ঈশ্বৰৰ পথ হলে সিদ্ধ; যিহোৱাৰ বাক্য নিভাজ বুলি
প্ৰমাণিত; তেওঁ তেওঁত আশ্ৰয় লোৱা লোকসকলৰ ঢাল। ৩১ যিহোৱাৰ
বাহিৰে কোন ঈশ্বৰ আছে? আমাৰ ঈশ্বৰৰ বাহিৰে কোন আশ্ৰয় শিলা
আছে? ৩২ ঈশ্বৰে শক্তিৰে সৈতে মোৰ কঁকালত টঙালি বান্ধে; তেওঁ
মোৰ পথ নিঃষ্কন্টক কৰে। ৩৩ মোৰ ভৰি হৰিণীৰ ঠেঙৰ সদৃশ বেগী
কৰে; ওখ ওখ ঠাইত তেওঁ মোক নিৰাপদে ৰাখে। ৩৪ তেওঁ মোৰ
হাতক ৰণ কৰিবলৈ শিকায়; তাতে মোৰ বাহুৱে পিতলৰ ধনুকো
ভিৰাব পাৰে। ৩৫ তুমি তোমাৰ পৰিত্ৰাণৰ ঢাল মোক দিলা; তোমাৰ
সোঁহাতে মোক ধৰি ৰাখিছে; তোমাৰ সাহাৰ্যৰ কোমলতাই মোক মহান
কৰিছে। ৩৬ তুমি মোৰ ভৰিৰ তলৰ ঠাই বহল কৰিলা; তাতে মোৰ ভৰি
পিছলি নগল। ৩৭ মোৰ শত্ৰুবোৰৰ পাছত খেদি গৈ মই তেওঁলোকক
ধৰিলোঁ; তেওঁলোক বিনষ্ট নোহোৱা পৰ্যন্ত মই উলটি নাহিলোঁ। ৩৮ মই
তেওঁলোকক এনেকৈ আঘাত কৰিলোঁ, যাতে তেওঁলোক পুনৰ উঠিব
নোৱাৰে। তেওঁলোক মোৰ ভৰিৰ তলত পতিত হ'ল। ৩৯ তুমিয়েই
মোৰ কঁকালত যুদ্ধ কৰিবলৈ বলৰূপ কটি-বন্ধন দিলা; তুমি মোৰ
বিৰুদ্ধে উঠাবোৰক মোৰ তলতীয়া কৰিলা। ৪০ তুমি মোৰ শত্ৰুবোৰক
মোৰ পৰা পিঠি দি পলাবলৈ দিলা; যিসকলে মোক ঘিণ কৰিছিল,
মই তেওঁলোকক সংহাৰ কৰিলোঁ। ৪১ তেওঁলোকে সহায়ৰ বাবে

কাতৰোক্তি কৰিলে, কিন্তু তেওঁলোকক ৰক্ষা কৰিবলৈ কোনো নাছিল;
তেওঁলোকে যিহোৱাৰ আগত চিঞৰিলে, কিন্তু তেওঁ উত্তৰ নিদিলে।
৪২ মই তেওঁলোকক গুড়ি কৰি মাৰিলোঁ, বতাহত উড়ি যোৱা ধুলিৰ
নিচিনা কৰিলোঁ। বাটৰ বোকামাটিৰ দৰে তেওঁলোকক পেলাই দিলোঁ।
৪৩ লোকসকলৰ বিদ্রোহৰ পৰা তুমি মোক ৰক্ষা কৰিলা; তুমি মোক
আন জাতিবোৰৰ অধিপতি পাতিলা। মই যিসকলক চিনি নাপাওঁ,
তেওঁলোকো মোৰ অধীন হ'ল। ৪৪ মোৰ কথা শুনা মাত্রকে তেওঁলোকে
মোৰ বশ্যতা স্বীকাৰ কৰিলে; বিৰোধী মনোভাৱ লৈ বিদেশীসকলো
মোৰ বশীভুত হল। ৪৫ বিদেশীসকল নিৰাশ হ'ল; তেওঁলোকে কঁপি
কঁপি দুৰ্গৰ পৰা ওলাই আহিল। ৪৬ যিহোৱা জীৱিত! মোৰ আশ্রয়-
শিলাৰ প্রশংসা হওঁক, মোৰ পৰিত্রাণৰ ঈশ্বৰ গৌৰৱান্বিত হওঁক। ৪৭
তেৱেঁই আন জাতিবোৰক মোৰ অধীন কৰি বশীভুত কৰিলে, তেওঁ
মোৰ পক্ষ হৈ তেওঁলোকে পাবলগীয়া প্রতিকাৰ সাধিলে। ৪৮ মই মোৰ
শত্রুবোৰৰ হাতৰ পৰা ৰক্ষা পালোঁ! অৱশ্যেই, মোৰ বিৰুদ্ধে উঠাবোৰৰ
ওপৰত তুমি মোক তুলি ধৰিলা! উপদ্রৱকাৰী লোকৰ পৰাও তুমি
মোক উদ্ধাৰ কৰিলা। ৪৯ হে যিহোৱা, সেয়ে আন জাতিবোৰৰ মাজত
মই তোমাৰ ধন্যবাদ কৰিম, তোমাৰ নামৰ উদ্দেশ্যে প্রশংসাৰ গান
কৰিম। ৫০ যিহোৱাই নিজে স্থাপন কৰা ৰজাক মহাজয় দান কৰে;
নিজৰ অভিষিক্তজনৰ প্রতি, দায়ুদ আৰু তেওঁৰ বংশধৰসকললৈ, তেওঁ
চিৰকাললৈকে তেওঁৰ অসীম প্রেম দেখুৱায়।

**১৯** গগণ-মণ্ডলে ঈশ্বৰৰ মহিমা প্রকাশ কৰে; আকাশ-মণ্ডলে তেওঁৰ
হাতৰ কৰ্ম দেখুৱায়। ২ দিনৰ পাছত দিন সেইবোৰৰ পৰা কথা ওলাই
আহে; ৰাতিৰ পাছত ৰাতি সেইবোৰে জ্ঞান প্রচাৰ কৰে। ৩ কিন্তু তাৰ
কোনো কথা নাই, কোনো ভাষা নাই; তাৰ শব্দও শুনা নাযায়। ৪
তথাপিও সেইবোৰৰ মাত সমগ্র পৃথিবীতে বিয়পি যায়; সেইবোৰৰ
কথা জগতৰ শেষ সীমালৈকে বিয়পি যায়; আকাশ-মণ্ডলত তেওঁ সূৰ্যৰ
বাবে এটা তম্বু স্থাপন কৰিলে। ৫ সূৰ্যই দৰাৰ দৰে নিজৰ শোৱনি
কোঁঠাৰ পৰা ওলাই আহে; নিজৰ পথত বীৰৰ দৰে আনন্দেৰে লৰ
মাৰে। ৬ সেয়ে আকাশৰ এটা মূৰত উদয় হৈ ঘূৰি তাৰ সিটো মূৰ

পায়গৈ; তাৰ তাপৰ পৰা কোনো বস্তুৱেই লুকাই নাথাকে ৭ যিহোৱাৰ
ব্যৱস্থা সিদ্ধ, সেয়ে মানুহৰ প্ৰাণক জগাই তোলে; যিহোৱাৰ বাক্য
বিশ্বাসযোগ্য, সেয়ে সাধাৰণ লোকক জ্ঞান দান কৰে। ৮ যিহোৱাৰ
আদেশবোৰ যথাৰ্থ, সেয়ে মানুহৰ হৃদয়ত আনন্দ দান কৰে; যিহোৱাৰ
আজ্ঞা সুস্পষ্ট, সেয়ে অন্তৰ্দৃষ্টিক দীপ্তিময় কৰে। ৯ যিহোৱা বিষয়ক
যি ভয়, সেয়ে শুচি আৰু চিৰস্থায়ী; যিহোৱাৰ শাসন-প্ৰণালীবোৰ
সম্পূৰ্ণভাৱে সত্য আৰু ধাৰ্মিক। ১০ সেইবোৰ সোণতকৈ, এনেকি
নিভাঁজ সোণতকৈয়ো বাঞ্ছনীয়; সেইবোৰ মৌতকৈও সোৱাদ, এনেকি
ৰহঘৰাৰ পৰা জৰি জৰি ওলোৱা মৌতকৈয়ো সোৱাদ। ১১ তাৰোপৰি
সেইবোৰে তোমাৰ দাসক সাৱধান কৰে; সেইবোৰ পালন কৰিলে
পৰম লাভ হয়। ১২ কোনে নিজৰ ভুলবোৰ গমিব পাৰে? মোক গুপুত
পাপৰ পৰা শুচি কৰা। ১৩ গৰ্ব্বীকৃত পাপৰ পৰাও তোমাৰ দাসক ধৰি
ৰাখা; সেইবোৰে যেন মোৰ ওপৰত অধিকাৰ নকৰে; তাতে মই সিদ্ধ
হ'ম, আৰু মহা অপৰাধৰ দায়ৰ পৰা মুক্ত হ'ম। ১৪ হে মোৰ যিহোৱা,
মোৰ আশ্ৰয়-শিলা আৰু মোৰ মুক্তিকৰ্ত্তা, মোৰ মুখৰ বাক্য আৰু মোৰ
মনৰ চিন্তা তোমাৰ দৃষ্টিত গ্ৰাহ্য হওঁক।

**২০** সঙ্কটৰ কালত যিহোৱাই তোমাক উত্তৰ দিয়ক, যাকোবৰ ঈশ্বৰৰ
নামে তোমাক সুৰক্ষা দিয়ক, ২ তেওঁৰ পবিত্ৰ স্থানৰ পৰা তেওঁ তোমাক
সহায় কৰক; তেওঁ চিয়োনৰ পৰা তোমাক শক্তি দান কৰক। ৩
তোমাৰ সকলো উৎসৰ্গৰ কথা তেওঁ সোঁৱৰণ কৰক; তোমাৰ হোম-
বলিবোৰ তেওঁ গ্ৰহণ কৰক। (চেলা) ৪ তোমাৰ সকলো মনৰ ইচ্ছা
তেওঁ পূৰ কৰক। তোমাৰ সকলো পৰিকল্পনা তেওঁ সিদ্ধ কৰক।
৫ তোমাৰ বিজয়ত আমি যেন আনন্দ-ধ্বনি কৰিম; আমাৰ ঈশ্বৰৰ
নামত আমি নিচান তুলিম; যিহোৱাই তোমাৰ সকলো প্ৰাৰ্থনা সাম্ফল
কৰক। ৬ এতিয়া মই জানো, যিহোৱাই তেওঁৰ অভিষিক্ত জনক সহায়
কৰিব, তেওঁৰ সোঁ হাতৰ বিজয়সূচক পৰিত্ৰাণেৰে সৈতে, তেওঁ নিজৰ
পবিত্ৰ স্বৰ্গৰ পৰা অভিষিক্ত জনাৰ মাতত উত্তৰ দিব। ৭ অনেকে
তেওঁলোকৰ ৰথত, অনেকে তেওঁৰ ঘোঁৰাত অহংকাৰ কৰে; কিন্তু আমি
হলে অহংকাৰ কৰোঁ আমাৰ ঈশ্বৰ যিহোৱাৰ নামত। ৮ তেওঁলোক

পৰিব আৰু পতন হ’ব। কিন্তু আমি হলে মূৰ দাঙি থিয় হৈ থাকিম। ৯
হে যিহোৱা, ৰজাক উদ্ধাৰ কৰা; আমি প্ৰাৰ্থনা কৰা কালত আমাক
উত্তৰ দিয়া।

**২১** হে যিহোৱা, তোমাৰ শক্তিত ৰজাই আনন্দ কৰে! তুমি তেওঁক
উদ্ধাৰ কৰিলে, তেওঁ কেনে আনন্দিত হয়! ২ তুমি তেওঁৰ মনৰ
বাঞ্ছা পূৰ কৰিলা, তুমি তেওঁৰ ওঁঠৰ নিবেদন অগ্ৰাহ্য নকৰিলা।
(চেলা) ৩ তুমি তেওঁলৈ মঙ্গলৰ নানা আশীৰ্ব্বাদ আনিলা, তুমি তেওঁৰ
মূৰত নিভাঁজ সোণৰ কিৰীটি দিলা। ৪ তেওঁ তোমাৰ পৰা দীৰ্ঘায়ু
জীৱন বিচাৰিলে; তাতে তুমি তেওঁক তাক দিলা; তুমি তেওঁক অনেক
আয়ুস দিলা। ৫ তোমাৰ সাহায্যত তেওঁৰ গৰিমা মহান হয়; তুমি
তেওঁৰ ওপৰত মৰ্য্যাদা আৰু প্ৰতাপ ৰাখিছা; ৬ তুমি তেওঁক চিৰস্থায়ী
আশীৰ্ব্বাদ দান কৰিছা; তোমাৰ উপস্থিতিৰ আনন্দেৰে তুমি তেওঁক
আনন্দ দান কৰিছা। ৭ কিয়নো ৰজাই যিহোৱাৰ ওপৰতে ভাৰসা
কৰে; সৰ্ব্বোপৰি জনাৰ দয়াই তেওঁক লৰচৰ নকৰিব। ৮ তোমাৰ
হাতেই তোমাৰ সকলো শত্ৰুবোৰক বিচাৰি পাব; তোমাৰ সোঁ হাতে
তোমাক ঘিণ কৰাসকলক বিচাৰি পাব। ৯ তোমাৰ প্ৰকাশৰ কালত
তুমি তেওঁলোকক এক অগ্নিময় জুইশালৰ নিচিনা কৰিবা; যিহোৱাই
নিজৰ ক্ৰোধত তেওঁলোকক গ্ৰাস কৰিব; অগ্নিয়ে তেওঁলোকক দহন
কৰিব। ১০ পৃথিবীৰ বুকুৰ পৰা তেওঁলোকৰ বংশধৰসকলক তুমি
ধ্বংস কৰি পেলাবা; মনুষ্যৰ মাজৰ পৰা তেওঁলোকৰ সন্তান সকলক
উচ্ছন্ন কৰিবা। ১১ যদি তেওঁলোকে তোমাৰ বিৰুদ্ধে দুষ্ট মন্ত্ৰণা কৰে,
যদি অপকৰ্মৰ পৰিকল্পনা কৰে, তেওঁলোক সফল হ’ব নোৱাৰিব। ১২
কিয়নো তুমি তেওঁলোকৰ মুখৰ ফালে লক্ষ্য কৰি যেতিয়া তোমাৰ
ধনুত কাঁড় জুৰিবা, তেতিয়া তুমি তেওঁলোকক পলাই যাবলৈ বাধ্য
কৰিবা। ১৩ হে যিহোৱা, তুমি নিজ পৰাক্ৰমেৰে উঠা! আমি তোমাৰ
পৰাক্ৰমৰ গীত গাম আৰু প্ৰশংসাৰ গান কৰিম।

**২২** হে মোৰ ঈশ্বৰ, হে মোৰ ঈশ্বৰ, তুমি কিয় মোক ত্যাগ কৰিলা?
মোক সহায় কৰাৰ পৰা, মোৰ কেঁকনি শুনাৰ পৰা কিয় তুমি আঁতৰত
থাকা? ২ হে মোৰ ঈশ্বৰ মই দিনত তোমাৰ আগত প্ৰাৰ্থনা কৰোঁ, কিন্তু

তুমি উত্তৰ নিদিয়া, ৰাতিও প্ৰাৰ্থনা কৰোঁ; মই চুপ হৈ নাথাকো! ৩ কিন্তু
তুমি হলে পবিত্ৰ, ইস্রায়েলৰ প্ৰশংসাৰ সিংহাসনত তুমি বহি আছা। ৪
তোমাৰ ওপৰতে আমাৰ পূৰ্বপুৰুষসকলে ভাৰসা কৰিছিল; তেওঁলোকে
ভাৰসা কৰিলে আৰু তুমি তেওঁলোকক উদ্ধাৰ কৰিলা। ৫ তেওঁলোকে
তোমাৰ আগত কাতৰোক্তি কৰিলে আৰু উদ্ধাৰ পালে; তোমাৰ ওপৰত
ভাৰসা কৰি তেওঁলোক লাজত নপৰিল। ৬ কিন্তু মই কেৱল এটা পোক
মাথোন, মানুহ নহওঁ; মানুহে মোক নিন্দা কৰে, লোক সকলে মোক
তুচ্ছ জ্ঞান কৰে। ৭ যিসকলে মোক দেখে, তেওঁলোক সকলোৱেই
মোক হাঁহে; তেওঁলোকে মোক মুখ ভেঙুচায় আৰু মূৰ জোকাৰি কয়, ৮
“তেওঁতো যিহোৱাৰ ওপৰত ভাৰসা কৰে, তেন্তে তেৱেঁ তেওঁক উদ্ধাৰ
কৰক; যিহোৱায়েই তেওঁক উদ্ধাৰ কৰক, কাৰণ তেওঁ তেওঁৰ ওপৰত
সন্তুষ্ট!” ৯ কিন্তু যি জনাই মোক মাতৃ গৰ্ভৰ পৰা উলিয়াই আনিলে, সেই
জনা তুমিয়েই; মই যেতিয়া মোৰ মাতৃৰ পিয়াহ খাইছিলো, তুমিয়েই
মোক সুৰক্ষিত ৰাখি তোমাৰ ওপৰত নিৰ্ভৰশীল কৰিলা। ১০ জন্মৰ
পিছৰে পৰা মোক তোমাৰ হাতত দিয়া হ’ল; মোৰ মাতৃৰ গৰ্ভৰে পৰাই
তুমি মোৰ ঈশ্বৰ থ’লো। ১১ তুমি মোৰ ওচৰৰ পৰা দূৰৈত নাথাকিবা;
কিয়নো মোৰ আপদ ওচৰ চাপি আহিছে; মোৰ সহায়কাৰী কোনো
নাই। ১২ মোৰ চাৰিওফালে যেন অনেক ভতৰাই বেৰি ধৰিছে; বাচানৰ
শক্তিশালী ভতৰাবোৰে যেন মোক আগুৰি ৰাখিছে। ১৩ ক্ষুধাৰ্ত সিংহই
যেনেকৈ গৰ্জ্জন কৰে, তেনেকৈ তেওঁলোকে মোলৈ মুখ মেলিছে। ১৪
মোক পানীৰ দৰে ঢালি পেলোৱা হ’ল, মোৰ গোটেই হাড়ৰ জোৰা
লৰিল; মোৰ অন্তৰ মমৰ নিচিনা হৈ মোৰ বুকুতে গলি গলি গৈছে; ১৫
মাটিৰ পাত্ৰৰ শুকান টুকুৰা এটাৰ দৰে মোৰ শক্তি শুকাই আহিছে;
মোৰ জিভা তালুত লাগি ধৰিছে; তুমি মোক মৃত্যুৰ ধুলিত শুৱাই
ৰাখিছা। ১৬ কিয়নো কুকুৰবোৰ মোৰ চাৰিওফালে আছে, দুষ্ট কাৰ্য
কৰা লোক সকলে মোক বেৰি আছে; মোৰ হাত-ভৰিবোৰ কোঁচ খাই
গৈছে। ১৭ মোৰ আটাইবোৰ হাড় মই লেখিব পাৰোঁ; সেই লোকসকলে
মোলৈ একেথৰে চাইছে; উল্লাসৰ দৃষ্টিৰে চাইছে। ১৮ নিজৰ মাজত
তেওঁলোকে মোৰ কাপোৰ-কানি ভাগ বাঁটি লৈছে; মোৰ বস্ত্ৰৰ অৰ্থে

চিঁঠি খেলাইছে। ১৯ কিন্তু তুমি হ'লে, হে যিহোৱা, দূৰৈত নাথাকিবা!
হে মোৰ শক্তি, মোক সহায় কৰিবলৈ শীঘ্ৰে আহাঁ। ২০ তৰোৱালৰ
পৰা মোৰ প্ৰাণ ৰক্ষা কৰা; সেই কুকুৰবোৰৰ হাতৰ পৰা মোৰ একেটি
মাথোন বহুমূল্য জীৱনক তুমি উদ্ধাৰ কৰা! ২১ সেই সিংহৰ মুখৰ
পৰা তুমি মোক পৰিত্ৰাণ কৰা! তুমি মোক সেই সকলো বনৰীয়া
ষাঁড়ৰ শিঙৰ পৰা ৰক্ষা কৰিলা। ২২ ভাইসকলৰ আগত মই তোমাৰ
নাম প্ৰচাৰ কৰিম; সমাজৰ মাজত তোমাৰ গুণানুকীৰ্তন কৰিম। ২৩
তোমালোক যিসকলে যিহোৱাক ভয় কৰা, তেওঁৰ প্ৰশংসা কৰা, হে
যাকোবৰ সমুদায় বংশধৰ, তোমালোকে তেওঁৰ গৌৰৱ-প্ৰশংসা কৰা;
ইস্ৰায়েলৰ সমুদায় বংশধৰ, তোমালোকে ভয়েৰে সৈতে তেওঁৰ আগত
থিয় হোৱা। ২৪ তেওঁ দুখীৰ দুখ দেখি হেয়জ্ঞান নকৰিলে, ঘৃণাৰ
চকুৰে নাচালে; যিহোৱাই তেওঁৰ ওচৰৰ পৰা নিজৰ মুখ নাঢাকিলে,
বৰং কাতৰোক্তিৰ সময়ত তেওঁ তাক শুনিলে। ২৫ মহা সমাজৰ
মাজত মোৰ যি প্ৰশংসা, সেয়া তোমাৰ পৰাই আহে; তোমালৈ ভয়
ৰাখোঁতাসকলৰ সন্মুখতে মই মোৰ সঙ্কল্প পূৰণ কৰিম। ২৬ দুখী
লোকসকলে খাই তৃপ্ত হব; যি সকলে যিহোৱাক বিচাৰে তেওঁলোকে
তেওঁৰ গুণ কীৰ্ত্তন কৰিব। তেওঁলোকৰ হৃদয়বোৰ চিৰকাল জীৱিত
হৈ থাকক! ২৭ পৃথিবীৰ শেষ সীমাত থকা লোকসকলেও যিহোৱাক
সোঁৱৰণ কৰি উলটি আহিব; আন জাতিবোৰৰ সকলো ফৈদে তেওঁক
প্ৰণিপাত কৰিব। ২৮ কিয়নো ৰাজ্য যিহোৱাৰেই, সকলো জাতিৰ
ওপৰত তেৱেঁই শাসন কৰে। ২৯ পৃথিবীৰ অহংকাৰী লোকসকলেও
তেতিয়া তেওঁৰ সন্মুখত ভোজন কৰি প্ৰণিপাত কৰিব; নিজৰ প্ৰাণ ৰক্ষা
কৰাৰ ক্ষমতা নথকা, তেনে ধুলিলৈ নামি যাবলগীয়া লোকসকলেও
তেওঁক প্ৰণিপাত কৰিব। মই তেওঁলোকৰ কাৰণে জীয়াই থাকিম। ৩০
ভৱিষ্যত বংশধৰসকলে তেওঁৰ সেৱা কৰিব; ভাবীবংশৰ লোকসকলৰ
ওচৰত যিহোৱাৰ বিষয়ে কোৱা হ'ব। ৩১ যিসকলৰ এতিয়াও জন্ম
হোৱা নাই, তেওঁলোকৰ ওচৰতো যিহোৱাৰ উদ্ধাৰ কাৰ্যৰ কথা ঘোষণা
কৰা হ'ব; ক'ব যে তেৱেঁই এই কাৰ্য কৰিলে।

**২৩** যিহোৱা মোৰ ৰক্ষক, মোৰ অভাৱ নহব। ২ তেওঁ মোক কুমলীয়া
ঘাঁহনি পথাৰত শুৱায়; আৰু য'ত শান্তি আছে, এনে পানীৰ কাষে
কাষে মোক চলায়। ৩ তেওঁ মোৰ প্ৰাণ পুনৰায় সুস্থ কৰে; নিজ নামৰ
নিমিত্তে তেওঁ মোক ধৰ্মপথত চলায়। ৪ এনে কি, মই মৃত্যুছায়াৰ
উপত্যকায়েদি চলিলেও, মই কোনো আপদলৈ ভয় নকৰোঁ, কিয়নো
তুমি মোৰ সঙ্গত আছা; তোমাৰ লাখুটি আৰু লাঠিয়ে মোক শান্তনা
দিয়ে। ৫ তুমি মোৰ শত্ৰুবোৰৰ সাক্ষাতে মোৰ সন্মুখত মেজ সজাইছা;
তুমি মোৰ মূৰ তেলেৰে তিয়াইছা; মোৰ পান-পাত্ৰ উপচি পৰিছে। ৬
অৱশ্যে মঙ্গল আৰু দয়া আয়ুসৰ সকলো কালত মোৰ পাছত যাওঁতা
হ'ব, আৰু মই চিৰকাললৈকে যিহোৱাৰ গৃহত বাস কৰিবলৈ পাম।

**২৪** পৃথিৱী আৰু তাৰ সকলোৱেই যিহোৱাৰ, জগত আৰু তাত বাস
কৰাসকল তেওঁৰেই। ২ কিয়নো তেৱেঁই সমুদ্ৰৰ ওপৰত ভূমিৰ ভেঁটি
স্থাপন কৰিলে, পানীৰ ওপৰত তাক দৃঢ় কৰি ধৰি ৰাখিলে। ৩ যিহোৱাৰ
পৰ্ব্বতটোলৈ কোনে উঠি যাব পাৰে? তেওঁৰ পবিত্ৰ স্থানত বা কোনে
থিয় হ'ব পাৰে? ৪ কেৱল সেই জনেই পাৰে, যি জনৰ হাত শুচি আৰু
অন্তৰো নিৰ্ম্মল; যিজনে মিছা কথালৈ নিজৰ মন নেমেলে, আৰু ছল
কৰি মিছা শপত নাখায়। ৫ তেওঁলোকেই যিহোৱাৰ পৰা আশীৰ্ব্বাদ
পাব; তেওঁলোকেই নিজ পৰিত্ৰাণকৰ্তা ঈশ্বৰৰ পৰা ধাৰ্মিকতা পাব।
৬ এই লোকসকলেই যিহোৱাক বিচাৰে, যাকোবৰ ঈশ্বৰৰ সাক্ষাত
পাবলৈ বিচাৰে; তেওঁলোকেই যাকোবৰ বংশ। (চেলা) ৭ হে নগৰৰ
দুৱাৰবোৰ, তোমালোকৰ মূৰবোৰ ওপৰলৈ তোলা, হে পুৰণি দিনৰ
দুৱাৰবোৰ, ওপৰলৈ দাং খাই উঠা, প্ৰতাপী ৰজাই যেন ভিতৰলৈ
সোমাব পাৰে। ৮ সেই প্ৰতাপী ৰজা কোন? তেওঁ যিহোৱা, যিজন
পৰাক্ৰমী আৰু মহান, তেওঁ যিহোৱা, যিজন যুদ্ধত মহান। ৯ হে নগৰৰ
দুৱাৰবোৰ, তোমালোকৰ মূৰবোৰ ওপৰলৈ তোলা, হে পুৰণি দিনৰ
দুৱাৰবোৰ, ওপৰলৈ দাং খাই উঠা, প্ৰতাপী ৰজাই যেন ভিতৰলৈ
সোমাব পাৰে। ১০ সেই প্ৰতাপী ৰজা কোন? তেওঁ বাহিনীসকলৰ
যিহোৱা, তেওঁ গৌৰৱৰ ৰজা। (চেলা)

২৫ হে যিহোৱা, মই মোৰ প্ৰাণ তোমালৈ তুলি ধৰিছোঁ! ২ হে মোৰ
ঈশ্বৰ, মই তোমাতেই ভাৰসা কৰিছোঁ; তুমি মোক লাজত পৰিবলৈ
নিদিবা; মোৰ শত্ৰুবোৰক মোৰ ওপৰত উল্লাস কৰিবলৈ নিদিবা। ৩
তোমালৈ অপেক্ষা কৰাসকলক তুমি লাজত পৰিবলৈ নিদিবা; কিন্তু যি
সকলে অকাৰণে বিশ্বাসঘাটকতা কৰে তেওঁলোকেই লাজত পৰিব। ৪
হে যিহোৱা, তোমাৰ পথবোৰ মোক জনোৱা; তোমাৰ পথত চলিবলৈ
মোক শিকোৱা। ৫ তোমাৰ সত্যতাত মোক পৰিচালিত কৰা আৰু
মোক শিক্ষা দিয়া; কিয়নো তুমিয়েই মোৰ ত্ৰাণকৰ্তা ঈশ্বৰ; ওৰে
দিনটো মই তোমালৈ অপেক্ষা কৰোঁ। ৬ হে যিহোৱা, তোমাৰ দয়া আৰু
অসীম প্ৰেমৰ কথা তুমি পাহৰি নাযাবা, কিয়নো সেই সকলো অনাদি
কালৰ পৰা আছে। ৭ মোৰ যৌৱন কালৰ পাপ আৰু অপৰাধবোৰ তুমি
সোঁৱৰণ নকৰিবা; হে যিহোৱা, তুমি তোমাৰ অসীম প্ৰেমৰ দ্বাৰাই
আৰু তোমাৰ মঙ্গলদায়ক গুণেৰেই মোক সোঁৱৰণ কৰা। ৮ যিহোৱা
মঙ্গলময় আৰু সৎ; সেয়ে তেওঁ পাপী লোকক তেওঁৰ পথৰ বিষয়ে
শিক্ষা দিয়ে। ৯ তেওঁ নম্ৰ লোকক ন্যায় পথত চলায়, তেওঁৰ পথৰ
বিষয়ে শিক্ষা দিয়ে। ১০ যিসকলে যিহোৱাৰ ব্যৱস্থা আৰু বিধিবোৰ
পালন কৰে, তেওঁলোকলৈ তেওঁৰ সকলো পথেই অসীম প্ৰেম আৰু
বিশ্বস্ততাৰে পৰিপূৰ্ণ। ১১ হে যিহোৱা, মোৰ অপৰাধ অতি গুৰুতৰ;
তোমাৰ নামৰ গুণেৰেই মোৰ অপৰাধ ক্ষমা কৰা। ১২ কোন সেই লোক,
যি জনে যিহোৱালৈ ভয় ৰাখে? তেওঁলোকে মনোনীত কৰিবলগীয়া
পথ যিহোৱাই তেওঁলোকক শিকাব। ১৩ তেওঁলোকে উন্নতিৰ মাজেদি
নিজৰ জীৱন কটাব; তেওঁলোকৰ বংশধৰসকলে দেশ অধিকাৰ কৰিব।
১৪ যি সকলে যিহোৱালৈ ভয় ৰাখে, যিহোৱাই তেওঁলোকৰ লগত
বন্ধুত্ব কৰে; আৰু তেওঁ স্থাপন কৰা বিধিবোৰ তেওঁলোকক জনায়।
১৫ মোৰ চকু চিৰকাল যিহোৱাৰ ফাললৈ; কিয়নো তেৱেঁই মোৰ ভৰি
জালৰ পৰা মুক্ত কৰিব। ১৬ মোৰ ফালে ঘূৰি চোৱা, মোক কৃপা কৰা;
কিয়নো মই অকলশৰীয়া আৰু দুঃখিত। ১৭ মোৰ হৃদয়ৰ যাতনাৰ পৰা
মোক মুক্ত কৰা; মোৰ নানা ক্লেশৰ পৰা মোক উদ্ধাৰ কৰা। ১৮ মোৰ
দুখ আৰু সঙ্কটলৈ দৃষ্টি কৰা, মোৰ সকলো পাপ ক্ষমা কৰা। ১৯ মোৰ

শত্ৰুবোৰলৈ চোৱা, তেওঁলোক সংখ্যাত অনেক; তেওঁলোকে কিমান
ভীষণ ঘৃণাৰে মোক ঘিণ কৰে। ২০ মোৰ প্ৰাণৰ সুৰক্ষা দিয়া, মোক
উদ্ধাৰ কৰা; মোক লাজত পৰিবলৈ নিদিবা, কাৰণ মই তোমাতেই
আশ্ৰয় লৈছোঁ। ২১ মোৰ সততা আৰু ন্যায় কাৰ্যই মোক ৰক্ষা কৰক;
কাৰণ মই তোমালৈকো অপেক্ষা কৰিছোঁ। ২২ হে ঈশ্বৰ, ইস্ৰায়েলক
তেওঁলোকৰ সকলো দুখ-কষ্টৰ পৰা মুক্ত কৰা।

**২৬** হে যিহোৱা, মোৰ বিচাৰ কৰা, কিয়নো মই নিজ সিদ্ধতাত
চলিছোঁ, অলৰভাৱে মই যিহোৱাত ভাৰসা কৰিছোঁ। ২ হে যিহোৱা,
তুমি মোক পৰীক্ষা কৰি মোৰ শুদ্ধতাৰ প্ৰমাণ চোৱা; মোৰ হৃদয়
আৰু মনক খপি চোৱা। ৩ কাৰণ তোমাৰ অসীম দয়া মোৰ চকুৰ
আগত আছে, মই তোমাৰ বিশ্বস্ততাত চলা-ফুৰা কৰোঁ। ৪ প্ৰৱঞ্চক
লোকসকলৰ লগত মই বহা নাই। অসৎ লোকসকলৰ সৈতে মই মিলা-
মিছা কৰা নাই। ৫ মই দুষ্টবোৰৰ সমাজক ঘৃণা কৰোঁ; দুষ্ট লোকৰ
লগত নবহোঁ। ৬ হে যিহোৱা, মই মোৰ নিৰ্দোষীতাত হাত ধোওঁ, আৰু
তোমাৰ যজ্ঞবেদী প্ৰদক্ষিণ কৰোঁ, ৭ যাতে মই উচ্চস্বৰে প্ৰশংসাৰ গীত
গাই তোমাক ধন্যবাদ জনাব পাৰোঁ; তোমাৰ আচৰিত কৰ্মবোৰ প্ৰচাৰ
কৰিব পাৰোঁ। ৮ হে যিহোৱা, যি গৃহত তুমি নিবাস কৰা, তোমাৰ
গৌৰৱ সেই ঠাইত থাকে, মই তোমাৰ নিবাস গৃহক ভাল পাওঁ। ৯
পাপীবোৰৰ লগত মোৰ প্ৰাণ লৈ নাযাবা; ৰক্তপাতী মনুষ্যবোৰৰ লগত
মোৰ জীৱন নিনিবা। ১০ তেওঁলোকৰ হাতত দুষ্টতাৰ পৰিকল্পনা
আছে; তেওঁলোকৰ সোঁহাত উৎকোচেৰে ভৰা। ১১ কিন্তু মই হলে নিজ
সিদ্ধতাত চলোঁ; মোক মুক্ত কৰা; মোক কৃপা কৰা। ১২ মোৰ ভৰি
সমান ঠাইত থিয় হৈ আছে; মহা-সমাজবোৰৰ মাজত মই যিহোৱাৰ
ধন্যবাদ কৰিম।

**২৭** যিহোৱা মোৰ দীপ্তি, মোৰ পৰিত্ৰাণ; মই কাক ভয় কৰিম?
যিহোৱা মোৰ জীৱন ৰক্ষক কোঁঠ, মই কাৰ বাবে ত্ৰাসযুক্ত হম? ২
দুষ্টবোৰে যেতিয়া মোৰ মাংস খাবলৈ ওচৰলৈ আহে, তেতিয়া মোৰ
সেই শত্ৰু আৰু বিৰোধীবোৰ উজুতি খাই পৰে। ৩ সৈন্যৰ দলেও যদি
মোৰ বিৰুদ্ধে ছাউনি পাতে, মোৰ হৃদয়ে ভয় নকৰিব; মোৰ বিৰুদ্ধে

যদি যুদ্ধও আৰম্ভ হয়, তেতিয়াও মই সাহসেৰে থাকিম। ৪ যিহোৱাৰ
ওচৰত মই এটা বিষয় যাচনা কৰিছোঁ, মই তাকেই অন্বেষণ কৰিম:
মই যেন যিহোৱাৰ সৌন্দৰ্য দেখা পাবলৈ, আৰু তেওঁৰ মন্দিৰত ধ্যান
কৰিবলৈ মোৰ গোটেই জীৱন কাল যিহোৱাৰ গৃহত বাস কৰিব পাৰোঁ।
৫ আপদৰ কালত তেওঁ মোক নিজ আশ্ৰয়ত গুপুতে ৰাখিব, নিজৰ
তম্বুত মোক লুকুৱাই ৰাখিব; তেওঁ মোক শিলৰ ওপৰত তুলি থব।
৬ যি শত্রুবোৰে মোক চাৰিওফালে বেৰি ধৰিছে, তেওঁলোকতকৈ
মোৰ মূৰ উন্নত হব; মই তেওঁৰ তম্বুত আনন্দ জয়ধ্বনিৰে বলি উৎসৰ্গ
কৰিম। মই যিহোৱাৰ উদ্দেশ্যে গীত-গান কৰিম! ৭ হে যিহোৱা, মই
মাতিলে, তুমি শুনা। মোক কৃপা কৰা, মোক উত্তৰ দিয়া! ৮ মোৰ
হৃদয়ে তোমাৰ এই কথাকে ক'লে, "আহাঁ, তোমালোকে মোৰ সাক্ষাৎ
পাবলৈ বিচাৰা।" হে যিহোৱা, মই তোমাৰ সাক্ষাৎ পাবলৈ বিচাৰোঁ। ৯
তোমাৰ মুখ মোৰ পৰা লুকুৱাই নাৰাখিবা; ক্ৰোধত তুমি তোমাৰ দাসক
দূৰ নকৰিবা। তুমিয়েই মোৰ সহায় হৈ আহিছা; হে মোৰ পৰিত্ৰাণৰ
ঈশ্বৰ, মোক নেৰিবা, মোক পৰিত্যাগ নকৰিবা! ১০ মোৰ পিতৃ-মাতৃয়ে
মোক ত্যাগ কৰিলেও, যিহোৱাই মোক তুলি লব। ১১ হে যিহোৱা,
মোৰ শত্ৰুবোৰৰ কাৰণে, তুমি মোক তোমাৰ পথ শিকোৱা; তুমি
মোক সমান পথত চলোৱা। ১২ মোৰ বিৰোধীবোৰৰ ইচ্ছাত তুমি
মোক সমৰ্পণ নকৰিবা; কিয়নো মিছা সাক্ষীবোৰ মোৰ বিৰুদ্ধে উঠিছে;
তেওঁলোকৰ প্ৰশ্বাসত অত্যাচাৰ ওলাই আহে। ১৩ মই বিশ্বাস কৰোঁ
যে, জীৱিতসকলৰ দেশত মই যিহোৱাৰ মঙ্গল দেখা পাম! ১৪ তুমি
যিহোৱালৈ অপেক্ষা কৰা; সবল হোৱা; তোমাৰ অন্তঃকৰণ সাহিয়াল
হওঁক; পুনৰায় কওঁ, যিহোৱালৈ অপেক্ষা কৰা।

**২৮** হে যিহোৱা, মই তোমাৰ ওচৰত প্ৰাৰ্থনা কৰিছোঁ; হে মোৰ
শিলা, মোলৈ আওকাণ নকৰিবা। কাৰণ, তুমি যদি মনে মনে থাকা,
তেন্তে মৈদামৰ গাতলৈ নামি যোৱাবোৰৰ দৰে মোৰ দশা হ'ব। ২
সহায়ৰ কাৰণে মই যেতিয়া তোমাৰ আগত কাতৰোক্তি কৰোঁ, তোমাৰ
মহা পবিত্ৰ স্থানৰ ফাললৈ হাত দাঙো, তেতিয়া তুমি মোৰ নিবেদন
শুনা। ৩ যিসকল দুষ্ট, যিসকলে দুষ্টতাৰ কাৰ্য কৰি ফুৰে, যিসকলে

চুবুৰীয়াৰ লগত মুখেৰে শান্তিৰ কথা কয়, অথচ অন্তঃকৰনত দুষ্ট
ইচ্ছা পুহি ৰাখে, সেইসকলৰ লগত তুমি মোক টানি নিনিবা। ৪
তেওঁলোকৰ কাৰ্য আৰু কৰ্মৰ দুষ্টতা অনুসাৰে, তুমি তেওঁলোকক
প্ৰতিফল দিয়া; তেওঁলোকৰ হাতৰ কাৰ্য অনুসাৰে তেওঁলোকক প্ৰতিফল
দিয়া। তেওঁলোকে পাবলগীয়া যি আছে, তাকেই তেওঁলোকক দিয়া।
৫ কিয়নো তেওঁলোকে যিহোৱাৰ কাৰ্য বা তেওঁৰ হাতে কৰা কৰ্মলৈ
মনোযোগ নিদিয়ে; সেয়ে, যিহোৱাই তেওঁলোকক বিনষ্ট কৰিব,
আৰু পুনৰায় গঢ় নিদিব। ৬ সকলো প্ৰশংসা যিহোৱাৰেই; তেওঁ
মোৰ কাকুতিৰ স্বৰ শুনিলে। ৭ যিহোৱাই মোৰ বল আৰু মোৰ
ঢাল; মোৰ হৃদয়ে তেওঁতে ভাৰসা কৰে। সেইবাবেই মই সহায়
পাইছোঁ। সেইবাবেই মোৰ অন্তৰ আনন্দত ভৰি পৰিছে; মই মোৰ
গীতেৰে তেওঁৰ ধন্যবাদ কৰোঁ। ৮ যিহোৱা তেওঁৰ লোকসকলৰ বল;
তেৱেঁই তেওঁৰ অভিষিক্তজনৰ পৰিত্ৰাণৰ দুৰ্গ। ৯ হে যিহোৱা, তোমাৰ
লোকসকলক তুমি ৰক্ষা কৰা, তোমাৰ সম্পত্তিক তুমি আশীৰ্ব্বাদ কৰা;
তুমি তেওঁলোকৰ ৰখীয়া হোৱা আৰু চিৰকাল তেওঁলোকক বৈ নিয়া।
**২৯** হে ঈশ্বৰৰ সন্তান সকল, তোমালোকে যিহোৱাৰ গৌৰৱ কীৰ্ত্তন
কৰা, যিহোৱাৰ গৌৰৱ আৰু পৰাক্ৰম কীৰ্ত্তন কৰা, ২ যিহোৱাৰ নামৰ
গৌৰৱ কীৰ্ত্তন কৰা; পবিত্ৰ সমাৰোহত যিহোৱাৰ আৰাধনা কৰা।
৩ জল সমূহৰ ওপৰত যিহোৱাৰ স্বৰ শুনা যায়; গৌৰৱান্বিত ঈশ্বৰে
বজ্ৰধ্বনিৰে গৰ্জন কৰে, যিহোৱা মহাজল সমূহৰ ওপৰত বিদ্যমান।
৪ যিহোৱাৰ স্বৰ ক্ষমতাপূৰ্ণ; যিহোৱাৰ স্বৰ মহিমাৰে পৰিপূৰ্ণ। ৫
যিহোৱাৰ স্বৰে এৰচ গছবোৰ ভাঙে; যিহোৱাই লিবানোনৰ এৰচ
গছবোৰ ভাঙি পেলায়। ৬ তেওঁ লিবানোনৰ পৰ্বতমালাক দামুৰিৰ দৰে
ডেও দি নচুৱায়; চিৰিয়োনক নচুৱায় যুবা বন্য ষাঁড়ৰ দৰে। ৭ যিহোৱাৰ
স্বৰে বিজুলীৰ চমক সৃষ্টি কৰে। ৮ যিহোৱাৰ স্বৰে মৰুপ্ৰান্তৰ কঁপাই
তোলে; কাদেচৰ মৰুপ্ৰান্তৰ যিহোৱাই কঁপাই তোলে। ৯ যিহোৱাৰ
স্বৰত হৰিণীবোৰে পোৱালি দিয়ে, ডাল-পাতবোৰ পৰি গৈ বনক নগ্ন
কৰে, কিন্তু তেওঁৰ মন্দিৰত সকলোৱে কয়, “গৌৰৱ!” ১০ যিহোৱা
জলপ্লাৱনত সিংহাসনত অধিষ্ঠিত আছিল, যিহোৱা চিৰকাললৈকে

ৰজা স্বৰূপে সিংহাসনত অধিষ্ঠিত হৈ আছে। ১১ যিহোৱাই তেওঁৰ
লোকসকলক শক্তিদান কৰক! যিহোৱাই তেওঁৰ লোকসকলক শান্তি
দি আশীৰ্ব্বাদ কৰক!

**৩০** হে যিহোৱা, মই তোমাৰ প্ৰশংসা কৰিম; কিয়নো তুমিয়েই মোক
উঠাই আনিলা। মোৰ শত্ৰুবোৰক তুমি মোৰ ওপৰত আনন্দ কৰিবলৈ
নিদিলা। ২ হে মোৰ ঈশ্বৰ যিহোৱা, মই সহায়ৰ বাবে তোমাৰ আগত
কাতৰোক্তি কৰাত, তুমি মোক সুস্থ কৰিলা। ৩ হে যিহোৱা, তুমি
মোৰ প্ৰাণ চিয়োলৰ পৰা তুলি আনিলা, তুমি মোক গাতলৈ যাব নিদি
জীয়াই ৰাখিলা। (Sheol h7585) ৪ হে যিহোৱাৰ ভক্তগণ, তোমালোকে
তেওঁৰ উদ্দেশ্যে প্ৰশংসাৰ গান কৰা, তেওঁৰ পবিত্ৰ নামৰ ধন্যবাদ
কৰা। ৫ কিয়নো তেওঁৰ ক্ৰোধ খন্তেকীয়া, তেওঁৰ দয়া হ'লে আজীৱন
কাললৈকে; ৰাতিৰ দীৰ্ঘসময়ত ক্ৰন্দন থাকিব পাৰে, কিন্তু ৰাতিপুৱাতে
আনন্দ আহে। ৬ সুখৰ দিনত মই কৈছিলোঁ, "মোক কোনেও লৰাব
নোৱাৰিব।" ৭ হে যিহোৱা, তোমাৰ অনুগ্ৰহেৰেই তুমি মোক শক্তিশালী
পৰ্ব্বতস্বৰূপে স্থাপন কৰিলা; কিন্তু, যেতিয়া তুমি তোমাৰ মুখ লুকুৱাই
ৰাখিছিলা, তেতিয়া মই ভীষণ ব্যাকুল হৈছিলোঁ। ৮ হে যিহোৱা, মই
তোমাকেই চিঞঁৰি মাতিছিলোঁ, মোৰ যিহোৱাৰ ওচৰত দয়া বিচাৰি
মই মিনতি কৰি কৈছিলোঁ: ৯ "মোৰ মৃত্যুত বা মই গাতলৈ নামি
যোৱাত জানো কিবা লাভ আছে? ধুলিয়ে জানো তোমাৰ প্ৰশংসা
নাইবা তোমাৰ বিশ্বস্ততাৰে প্ৰচাৰ কৰিব? ১০ হে যিহোৱা, শুনা, মোক
কৃপা কৰা, হে যিহোৱা, মোৰ সহায় হোৱা।" ১১ শোক অৱস্থাৰ পৰা
তুমি মোক নৃত্যৰ উৎসৱলৈ আনিলা; শোকৰ চট কাপোৰ খুলি তুমি
মোক আনন্দৰ বস্ত্ৰ পিন্ধালা, ১২ যাতে মোৰ অন্তৰ নীৰৱে নাথাকে বৰং
তোমাৰ উদ্দেশ্যে প্ৰশংসাৰ গীত গায়; হে মোৰ ঈশ্বৰ যিহোৱা, মই
অনন্ত কাললৈকে তোমাৰ ধন্যবাদ কৰিম।

**৩১** হে যিহোৱা, মই তোমাতেই আশ্ৰয় লৈছোঁ; মোক কেতিয়াও
লাজত পৰিবলৈ নিদিবা; তোমাৰ ধাৰ্মিকতাৰ গুণেৰে মোক ৰক্ষা কৰা।
২ মোলৈ কাণ পাতা, মোক শীঘ্ৰে উদ্ধাৰ কৰা; মোক ৰক্ষা কৰিবলৈ
তুমিয়েই মোৰ আশ্ৰয়-শিলা হোৱা, মোৰ দৃঢ় কোঁঠ হোৱা। ৩ তুমি

মোৰ শিলা, আৰু মোৰ দুৰ্গ; এই হেতুকে তোমাৰ নামৰ কাৰণে তুমি
মোৰ পথ-দৰ্শক হৈ মোক চলাই নিবা। ৪ মোৰ কাৰণে গোপনে পতা
জালৰ পৰা তুমি মোক উদ্ধাৰ কৰা; কাৰণ তুমিয়েইতো মোৰ আশ্ৰয়।
৫ হে যিহোৱা, হে মোৰ বিশ্বস্ত ঈশ্বৰ, তুমিয়েই মোক মুক্ত কৰিলা;
মই তোমাৰ হাতত মোৰ আত্মা শোধাই দিছোঁ; ৬ যিসকলে অসাৰ
মূৰ্তিবোৰৰ সেৱা-পূজা কৰে, মই তেওঁলোকক ঘিণ কৰোঁ; কিন্তু মই
যিহোৱাত ভাৰসা কৰোঁ। ৭ তোমাৰ গভীৰ প্ৰেমত মই আনন্দ কৰিম,
উল্লাসিত হ'ম; কিয়নো তুমি মোৰ দুখলৈ দৃষ্টি কৰিলা; মোৰ দুৰ্দশাত
তুমি চিন্তিত থ'লো ৮ তুমি মোক শত্ৰুৰ হাতত শোধাই নিদিলা; বহল
ঠাইত তুমি মোৰ ভৰি ৰাখিলা। ৯ হে যিহোৱা, মোক কৃপা কৰা,
কিয়নো মই অতি কষ্টৰ মাজত আছোঁ; দুখত মোৰ চকু সোমাই গৈছে;
মোৰ দেহ আৰু প্ৰাণ দুৰ্বল হৈ গৈছে। ১০ মই শোকতে মোৰ জীৱন পাৰ
কৰিলোঁ, হুমুনিয়াহ কাঢ়ি কাঢ়ি মোৰ বছৰ কেইটাৰ অন্ত হৈছে; মোৰ
দুখৰ কাৰণে মোৰ শক্তি লোপ পাইছে, আৰু মোৰ অস্থিবোৰ শুকাই
গৈছে। ১১ মোৰ সকলো শত্ৰুৰ ওচৰত মই ঘৃণাৰ পাত্ৰ, চুবুৰীয়াৰ
ওচৰত মই অত্যন্ত নিন্দনীয়, মোৰ পৰিচিতসকলৰ ওচৰত মই শঙ্কাৰ
বিষয় হৈছোঁ; বাটত মোক দেখিলে মানুহবোৰ পলাই যায়। ১২ মৃত
ব্যক্তিক পাহৰি যোৱাৰ দৰে, মানুহবোৰে মোক পাহৰি গৈছে; মই যেন
এটা ভগা পাত্ৰৰ দৰে হ'লো। ১৩ মোৰ সম্বন্ধে দিয়া অনেকৰ অপবাদ
মোৰ কাণত পৰিছে, মোৰ চাৰিওফালে ভীষণ ভয় আছে। তেওঁলোকে
মোৰ বিৰুদ্ধে একেলগে পৰামৰ্শ কৰিছে, মোৰ প্ৰাণ ল'বলৈ ষড়যন্ত্ৰ
কৰিছে। ১৪ কিন্তু, হে যিহোৱা, মই তোমাতেই ভাৰসা কৰিছোঁ; মই
কওঁ, "তুমিয়েই মোৰ ঈশ্বৰ।" ১৫ তোমাৰ হাততেই মোৰ সকলো
সময় আছে, মোৰ শত্ৰু আৰু তাড়নাকাৰীবোৰৰ হাতৰ পৰা তুমি মোক
উদ্ধাৰ কৰা। ১৬ তোমাৰ দাসৰ প্ৰতি তোমাৰ মুখ উজ্জ্বল কৰা; তোমাৰ
অসীম প্ৰেমত মোক ৰক্ষা কৰা। ১৭ হে যিহোৱা, মই তোমাক মাতিছো,
তুমি মোক লাজত পৰিবলৈ নিদিবা; দুষ্ট লোক বৰং লাজত পৰক,
চিয়োলত নীৰৱে থাকক। (Sheol h7585) ১৮ অহংকাৰ আৰু তুচ্ছ ভাব
লৈ যিসকলে ধাৰ্মিকসকলৰ বিৰুদ্ধে দৰ্প কথা কয়, সেই মিছলীয়া

ওঁঠবোৰ বোবা হওঁক। ১৯ অহ! তোমাৰ মঙ্গল কিমান যে মহান!
যি মঙ্গল তুমি তোমাক ভয় কৰোঁতা লোকসকলৰ বাবে সঞ্চয় কৰি
থৈছা; তোমাত আশ্রয় লোৱা সকলোৰে সন্মুখতে তুমি সেই মঙ্গল সিদ্ধ
কৰি থাকা। ২০ তুমি তেওঁলোকক তোমাৰ উপস্থিতিৰ আশ্রয় স্থানত
ৰাখি, মানুহৰ কুমন্ত্রণাৰ পৰা লুকুৱাই ৰাখা; বিতর্কমূলক জিভাবোৰৰ
পৰা তোমাৰ নিৰাপদ আশ্রয় স্থানত তুমি তেওঁলোকক আঁতৰাই
ৰাখা। ২১ যিহোৱা ধন্য হওঁক; যেতিয়া মই ঘেৰি থকা এখন নগৰৰ
মাজত আছিলোঁ, তেওঁ মোলৈ আশ্চর্যজনক ভাৱে তেওঁৰ গভীৰ প্রেম
দেখুৱালে। ২২ মই আতঙ্কিত হৈ যদিও কৈছিলোঁ, “তোমাৰ দৃষ্টিৰ পৰা
মই বিছিন্ন হৈ পৰিলো”; তথাপিও মই তোমাৰ আগত সহায়ৰ বাবে
কাতৰোক্তি কৰাত, তুমি মোৰ কাকুতি শুনিলা। ২৩ হে যিহোৱাৰ ভক্ত
লোকসকল, তোমালোকে তেওঁক প্রেম কৰা; যিহোৱাই বিশ্বাসীসকলক
ৰক্ষা কৰে, কিন্তু অহংকাৰীবোৰক তেওঁ অধিক প্রতিফল দিয়ে। ২৪
তোমালোক যিসকলে যিহোৱালৈ অপেক্ষা কৰা, তোমালোক বলৱন্ত
হোৱা, তোমালোকৰ হৃদয় সাহিয়াল হওঁক।

**৩২** ধন্য সেই লোক, যি লোকৰ অপৰাধ ক্ষমা কৰা হয়; যি লোকৰ
পাপ ঢকা হয়। ২ ধন্য সেই ব্যক্তি, যি ব্যক্তিৰ অপৰাধ যিহোৱাই গণনা
নকৰে, আৰু যি ব্যক্তিৰ মনত কোনো ছলনা নাই। ৩ মই যেতিয়া
পাপ স্বীকাৰ নকৰি মনে মনে আছিলোঁ, তেতিয়া ওৰে দিনটো কেঁকাই
থকাত মোৰ অস্থিবোৰ ক্ষয় পাইছিল। ৪ কিয়নো তেতিয়া দিনে ৰাতিয়ে
মোৰ ওপৰত তোমাৰ হাত গধুৰ হৈ আছিল, মোৰ গাৰ শক্তি জহকালৰ
তাপত যেনেকৈ হয়, তেনেকৈয়ে শুকাই গৈছিল। (চেলা) ৫ তেতিয়া
মই তোমাৰ আগত মোৰ পাপ সৈ কাঢ়িলোঁ; মোৰ অপৰাধ মই আৰু
লুকুৱাই নাৰাখিলোঁ; মই ক’লো, “যিহোৱাৰ আগত মই মোৰ অপৰাধ
সৈ কাঢ়িম”; তাতে মোৰ পাপৰ দোষ তুমি ক্ষমা কৰিলা। (চেলা)
৬ সেইবাবে প্রয়োজনৰ সময়ত প্রতিজন বিশ্বাসীয়ে তোমাৰ আগত
প্রার্থনা কৰক; বিপদ মহা-জলপ্লাৱনৰ দৰে আহিলেও সেইজনৰ ওচৰ
নাপাব। ৭ তুমি মোৰ গুপ্তস্থান; তুমি মোক সঙ্কটৰ পৰা উদ্ধাৰ কৰোঁতা;
মুক্তিৰ জয়ধ্বনিৰে তুমি মোক আৱৰি ৰাখোঁতা। (চেলা) ৮ মই তোমাক

বুদ্ধি দিম; তুমি যাবলগীয়া পথ মই তোমাক শিকাম; তোমাৰ ওপৰত
মই দৃষ্টি ৰাখি পৰামৰ্শ দিম। ৯ তোমালোক ঘোঁৰা বা খছৰৰ নিচিনা
নহবা, সিহঁতৰ বুজন শক্তি নাই; মুখত লাগাম আৰু দনা ভূষণৰূপে
লগাই সিহঁতক বশ কৰা হয়, নহলে, সিহঁত তোমালোকৰ ওচৰলৈ
নাহিব। ১০ দুষ্টলোকৰ যাতনা অধিক; কিন্তু যিজনে যিহোৱাত নিৰ্ভৰ
কৰে, যিহোৱাৰ অসীম দয়াই তেওঁক আৱৰি ৰাখে। ১১ হে ধাৰ্মিক
লোকসকল, তোমালোকে যিহোৱাতে আনন্দ কৰা; উল্লাস কৰা; যাৰ
অন্তৰ শুদ্ধ, তোমালোক সকলোৱে আনন্দ-ধ্বনি কৰা।

**৩৩** হে ধাৰ্মিক লোকসকল, যিহোৱাত আনন্দ-ধ্বনি কৰা, তেওঁৰ
প্ৰশংসা কৰা সাধু লোকৰেই কাম। ২ বীণাৰে সৈতে যিহোৱাৰ ধন্যবাদ
কৰা, দহগুণীয়া নেবল যন্ত্ৰৰে তেওঁৰ প্ৰশংসা কৰা। ৩ তেওঁৰ উদ্দেশ্যে
এটি নতুন গীত গোৱা; দক্ষতাৰে বাদ্য-যন্ত্ৰ বজাই জয়-ধ্বনি কৰা। ৪
যিহোৱাৰ বাক্য সত্য; তেওঁৰ সকলো কাৰ্যত তেওঁ বিশ্বাসযোগ্য। ৫
তেওঁ ধাৰ্মিকতা আৰু ন্যায়বিচাৰ ভাল পায়; সমগ্ৰ পৃথিৱী যিহোৱাৰ
দয়াৰে পৰিপূৰ্ণ। ৬ যিহোৱাৰ বাক্যৰ দ্বাৰাই আকাশ-মণ্ডল নিৰ্মাণ কৰা
হ'ল, তাত থকা সকলো বাহিনী তেওঁৰ মুখৰ প্ৰশ্বাসেৰে নিৰ্মিত হ'ল।
৭ তেওঁ সমুদ্ৰৰ জল সমূহক বটলত গোটাই ৰখাৰ দৰেই জমা কৰিলে;
মহাসাগৰৰ গভীৰ জলৰাশিক ভঁৰালবোৰত ৰাখিলে। ৮ গোটেই
পৃথিৱীয়ে যিহোৱালৈ ভয় ৰাখক; জগতৰ সকলোৱে তেওঁৰ আগত
সমীহ কৰি থিয় হওক। ৯ কিয়নো তেওঁ ক'লে আৰু সকলোবোৰ সৃষ্টি
হ'ল, তেওঁ আজ্ঞা দিলে আৰু সকলো প্ৰতিষ্ঠিত হ'ল। ১০ যিহোৱাই
জাতিবোৰৰ পৰিকল্পনা নিস্ফল কৰে, তেওঁ লোক সমূহৰ সঙ্কল্পবোৰ
ব্যৰ্থ কৰে। ১১ যিহোৱাৰ পৰিকল্পনা চিৰকাললৈকে থিৰে থাকে;
তেওঁৰ মনৰ সঙ্কল্প পুৰুষানুক্ৰমে স্থায়ী। ১২ ধন্য সেই জাতি, যি
জাতিৰ ঈশ্বৰ যিহোৱা; সেই লোকসকলক তেওঁ নিজৰ আধিপত্যৰ
অৰ্থে মনোনীত কৰিলে। ১৩ যিহোৱাই স্বৰ্গৰ পৰা তললৈ দৃষ্টিপাত
কৰে; তেওঁ সকলো মনুষ্য সন্তানক নিৰীক্ষণ কৰে। ১৪ পৃথিৱী নিবাসী
সকলো লোকৰ ওপৰত তেওঁ নিজৰ বাসস্থানৰ পৰা দৃষ্টি ৰাখে। ১৫
তেৰেঁই তেওঁলোক সকলোৰে হৃদয়ৰ নিৰ্ম্মাণকৰ্ত্তা; তেওঁলোকৰ সকলো

কার্যই তেওঁ নিৰীক্ষণ কৰে। ১৬ বৃহৎ সৈন্যদল থাকিলেও ৰজাই তাৰ
দ্বাৰা ৰক্ষা নাপায়; মহাশক্তিৰ দ্বাৰাও কোনো যোদ্ধা ৰক্ষা নাপায়। ১৭
জয়ৰ অৰ্থে ঘোঁৰাৰ ওপৰত নিৰ্ভৰ কৰা এক মিছা আশা; মহা-শক্তি
থাকিলেও ঘোঁৰাই তাৰ বলেৰে ৰক্ষা কৰিব নোৱাৰে। ১৮ যিসকলে
যিহোৱালৈ ভয় ৰাখে, যিসকলে তেওঁৰ অসীম দয়াৰ ওপৰত আশা
ৰাখে, যিহোৱাৰ দৃষ্টি তেওঁলোকৰ ওপৰত থাকে, ১৯ যাতে মৃত্যুৰ পৰা
তেওঁলোকৰ প্ৰাণ ৰক্ষা কৰিব পাৰে; আকালৰ সময়ত তেওঁলোকক
জীয়াই ৰাখিব পাৰে; ২০ আমাৰ প্ৰাণে যিহোৱালৈ অপেক্ষা কৰে;
তেঁৱেই আমাৰ সহায় আৰু আমাৰ ঢাল। ২১ আমাৰ হৃদয়ে তেওঁতেই
আনন্দ কৰে; কাৰণ আমি তেওঁৰ পবিত্ৰ নামত ভাৰসা কৰিছোঁ। ২২
হে যিহোৱা, আমাৰ ওপৰত তোমাৰ অসীম প্ৰেম থাকক, কিয়নো
তুমিয়েই আমাৰ আশাভূমি হৈছা।

**৩৪** মই সকলো সময়তে যিহোৱাৰ ধন্যবাদ কৰিম; তেওঁৰ প্ৰশংসা
মোৰ মুখত থাকিব। ২ মোৰ প্ৰাণে যিহোৱাতেই গৌৰৱ কৰে; তাকে
শুনি নম্ৰ লোকে আনন্দ কৰক। ৩ তোমালোকে মোৰে সৈতে যিহোৱাৰ
মহিমা কীৰ্ত্তন কৰা; আহাঁ, আমি একেলগে তেওঁৰ নামৰ প্ৰশংসা
কৰোঁহক। ৪ মই যিহোৱাক বিচাৰিলো, তাতে তেওঁ মোক উত্তৰ
দিলে; মোৰ সকলো ভয়ৰ পৰা তেওঁ মোক উদ্ধাৰ কৰিলে। ৫ তেওঁৰ
ফালে যেতিয়া লোকসকলে চায়, তেওঁলোক তেতিয়া জ্যোতিষ্মান হৈ
উঠে। তেওঁলোকৰ মুখ লাজত কেতিয়াও বিবৰ্ণ নহব। ৬ এই দুখীয়ে
প্ৰাৰ্থনা কৰাত যিহোৱাই শুনিলে, সকলো সঙ্কটৰ পৰা তেওঁক পৰিত্ৰাণ
কৰিলে। ৭ যিহোৱালৈ ভয় ৰাখোঁতাসকলৰ চাৰিওফালে যিহোৱাৰ
দূতে ছাউনি পাতে আৰু তেওঁলোকক উদ্ধাৰ কৰে। ৮ যিহোৱা যে
মঙ্গলময় তাক তোমালোকে আস্বাদন কৰি চোৱা; তেওঁত আশ্ৰয় লোৱা
লোক ধন্য। ৯ হে যিহোৱাৰ পবিত্ৰ লোকসকল, তোমালোকে তেওঁলৈ
ভয় ৰাখা; কিয়নো যিসকলে তেওঁলৈ ভয় ৰাখে, তেওঁলোকৰ একোৰে
অভাৱ নহয়। ১০ ডেকা সিংহবোৰৰ আহাৰৰ অভাৱ হয়, সিহঁতে
ভোকত কষ্ট পায়: কিন্তু যিসকলে যিহোৱাক বিচাৰে, তেওঁলোকৰ
মঙ্গলৰ অভাৱ নহয়। ১১ হে সন্তান সকল আহাঁ, তোমালোকে মোৰ

বাক্য শুনা; মই তোমালোকক যিহোৱাৰ ভয় শিকাম। ১২ তোমালোকৰ
মাজত কোনে এই জীৱন ভোগ কৰিব বিচাৰে? সুখ ভোগ কৰিবৰ
কাৰণে কোনে দীৰ্ঘায়ু বিচাৰে? ১৩ তুমি দুষ্টতাৰ পৰা তোমাৰ জিভা
আৰু ছলনা বাক্যৰ পৰা তোমাৰ ওঁঠক ৰাখা। ১৪ তুমি দুষ্টতাৰ পৰা
আঁতৰি সুকৰ্ম কৰা; তুমি শান্তি বিচাৰা আৰু তাৰ পাছে পাছে খেদি
যোৱা। ১৫ যিহোৱাৰ দৃষ্টি ধাৰ্মিকসকলৰ ওপৰত থাকে; তেওঁৰ
কাণ তেওঁলোকৰ কাতৰোক্তি শুনিবলৈ মুকলি থাকে। ১৬ যিসকলে
দুষ্টতাৰ কাৰ্য কৰে, যিহোৱা তেওঁলোকৰ বিৰুদ্ধে, তেওঁ পৃথিবীৰ পৰা
তেওঁলোকৰ স্মৰণ মছি পেলাব। ১৭ ধাৰ্মিক লোকে সহায়ৰ কাৰণে
কাতৰোক্তি কৰিলে যিহোৱাই শুনে; যিহোৱাই সকলো সঙ্কটৰ পৰা
তেওঁলোকক ৰক্ষা কৰে। ১৮ যিহোৱা ভগ্নচিত্তীয়াসকলৰ ওচৰ; খেদিত
মন হোৱাসকলক তেওঁ পৰিত্ৰাণ কৰে। ১৯ ধাৰ্মিক লোকৰ বিপদ
অনেক হলেও, সেই সকলোৰে পৰা যিহোৱায়েই তেওঁক উদ্ধাৰ কৰে।
২০ যিহোৱাই তেওঁৰ সকলো অস্থি ৰক্ষা কৰে; তাৰ মাজৰ এডালিও
ভগ্ন নহয়। ২১ দুষ্ট লোকৰ মৃত্যু দুষ্টতাৰ হাতত; ধাৰ্মিক লোকক
ঘিণাওঁতাসকল দণ্ডিত হব। ২২ যিহোৱাই তেওঁৰ দাসবোৰৰ প্ৰাণ মুক্ত
কৰে; তেওঁত আশ্ৰয় লোৱা সকলৰ কোনোৱেই দণ্ডিত নহব।

**৩৫** হে যিহোৱা, যিসকলে মোৰে সৈতে বিবাদ কৰে, তুমিও
তেওঁলোকৰে সৈতে বিবাদ কৰা; যিসকলে মোৰ বিৰুদ্ধে যুদ্ধ কৰে,
তুমিও তেওঁলোকৰে বিৰুদ্ধে যুদ্ধ কৰা। ২ তুমি ঢাল আৰু ফলক ধাৰণ
কৰা, মোৰ সহায়ৰ অৰ্থে উঠা। ৩ মোৰ পাছে পাছে যিসকলে খেদি
আহিছে, তুমি বৰছা আৰু যাঁঠি লৈ তেওঁলোকৰ পথ ৰুদ্ধ কৰা; তুমি
মোৰ প্ৰাণক কোৱা, “ময়েই তোমাৰ পৰিত্ৰাণ।” ৪ যিসকলে মোৰ
প্ৰাণ বিচাৰে, তেওঁলোক লজ্জিত আৰু অপমানিত হওঁক; যিসকলে
মোৰ সৰ্বনাশলৈ পৰিকল্পনা কৰে, তেওঁলোক উলটি যাওঁক, হতাশ
হওঁক। ৫ তেওঁলোক বতাহৰ সন্মুখত উৰুৱাই নিয়া তুঁহৰ নিচিনা হওঁক;
যিহোৱাৰ দূতে তেওঁলোকক খেদি যাওঁক। ৬ তেওঁলোকৰ পথ অন্ধকাৰ
আৰু পিছল হওঁক। যিহোৱাৰ দূতে তেওঁলোকৰ পাছে পাছে খেদি
যাওঁক। ৭ কিয়নো তেওঁলোকে অকাৰণে মোৰ কাৰণে গাতত গুপুতে

জাল পাতিলে; বিনা কাৰণতে মোৰ প্ৰাণ নাশৰ অৰ্থে গাত খান্দিলে।
৮ হঠাত তেওঁলোকৰ ওপৰলৈ বিনাশ আহঁক; তেওঁলোকে গোপনে
পতা নিজৰ জালত নিজেই ধৰা পৰক; সেই বিনাশত তেওঁলোক
পতিত হওঁক। ৯ তাতে মোৰ প্ৰাণ যিহোৱাত উল্লাসিত হব, তেওঁৰ
পৰিত্ৰাণত আনন্দিত হব। ১০ মোৰ সকলো অস্থিয়ে কব, "হে যিহোৱা,
তোমাৰ তুল্য কোন আছে?" তুমিয়েই দুৰ্বলীক তেওঁতকৈ বলৱান
জনৰ পৰা, দুখী-দৰিদ্ৰক তেওঁলোকৰ লুন্ঠণকাৰীৰ পৰা উদ্ধাৰ কৰা।
১১ অত্যাচাৰী বিদ্বেষপৰায়ণ মিছা সাক্ষীবোৰ উঠিছে; মই যি কথা
নাজানো, তেওঁলোকে মোক সেই বিষয়ে সোধে। ১২ তেওঁলোকে
উপকাৰৰ সলনি মোৰ অপকাৰ কৰে; তাতে মোৰ প্ৰাণ অনাথ হয়। ১৩
কিন্তু মই হলে, তেওঁলোক নৰিয়া পৰা সময়ত চট কাপোৰ পিন্ধিছিলোঁ,
লঘোনেৰে নিজৰ প্ৰাণক দুখ দিছিলোঁ; মোৰ প্ৰাৰ্থনা মোৰ বুকুলৈকে
উলটি আহিছিল, মই উত্তৰ নাপালোঁ। ১৪ মোৰ নিজ ভাই বা নিজ
বন্ধুৰ দৰেই তেওঁলোকৰ কাৰণে মই শোক প্ৰকাশ কৰিলোঁ; মই
মাতৃহাৰাৰ দৰে শোকাৰ্ত হৈ মূৰ তল কৰি ফুৰিলোঁ। ১৫ কিন্তু মই
যেতিয়া উজুটি খালো, তেতিয়া তেওঁলোক আনন্দিত হৈ একগোট
হ'ল; তেওঁলোক মোৰ বিৰুদ্ধে একগোট হ'ল; মোৰ অজ্ঞাতে সেই
অত্যাচাৰীবোৰে মোক চূৰ্ণ কৰিলে, ক্ষান্ত হৈ নাথাকিল। ১৬ তেওঁলোকে
ভক্তিহীনভাৱে মোক বিদ্ৰূপ কৰিলে; তেওঁলোকে মোলৈ দাঁত কৰচে।
১৭ হে প্ৰভু, তুমি কিমান কাললৈ চাই থাকিবা? তেওঁলোকৰ ধ্বংস
কাৰ্যৰ পৰা মোক উদ্ধাৰ কৰা; সিংহবোৰৰ পৰা মোৰ জীৱন ৰক্ষা
কৰা। ১৮ মই মহা-সমাজত তোমাৰ ধন্যবাদ কৰিম; অসংখ্য লোকৰ
মাজত তোমাৰ গুণ-প্ৰশংসা কৰিম। ১৯ মোৰ বিশ্বাসঘাটক শত্ৰুবোৰক
মোৰ ওপৰত আনন্দ কৰিবলৈ নিদিবা; অকাৰণে যিসকলে মোক ঘৃণা
কৰে, মোৰ বিৰুদ্ধে চকু টিপিয়াবলৈ নিদিবা। ২০ কিয়নো তেওঁলোকে
শান্তিজনক কথা নকয়, কিন্তু দেশত শান্তভাৱে বাস কৰা লোকসকলৰ
বিৰুদ্ধে তেওঁলোকে ছলনাভৰা কথা কল্পনা কৰে। ২১ মোৰ বিৰুদ্ধে
তেওঁলোকে নিজ মুখ বহলকৈ মেলি কয়, "অহঃ অহঃ আমি নিজ
চকুৰেই দেখিছোঁ।" ২২ হে যিহোৱা তুমি এই সকলো দেখিছা, নিমাতে

নাথাকিবা; হে প্ৰভু, তুমি মোৰ পৰা আঁতৰ নহবা! ২৩ হে মোৰ ঈশ্বৰ
যিহোৱা, জাগি উঠা, মোৰ পক্ষে সাৰ পোৱা; মোৰ কাৰণেই সাৰ
পোৱা। ২৪ হে মোৰ ঈশ্বৰ যিহোৱা, তোমাৰ ধাৰ্মিকতা অনুসাৰে মোৰ
বিচাৰ কৰা; তেওঁলোকক মোৰ ওপৰত আনন্দ কৰিবলৈ নিদিবা। ২৫
তেওঁলোকক মনত এই কথা কবলৈ নিদিবা, “অহঃ, আমাৰ অন্তৰে যি
বিচাৰিছে, সেয়ে হৈছে।” তেওঁলোকক কবলৈ নিদিবা, “আমি তেওঁক
সম্পূৰ্ণ ধ্বংস কৰিলোঁ।” ২৬ মোৰ সঙ্কটত যিসকল আনন্দিত হয়,
তেওঁলোক সকলোৱেই লজ্জিত হৈ বিহ্বল হওঁক; যিসকলে মোৰ বিৰুদ্ধে
নিজকে তুলি ধৰে, লাজ আৰু অপমান তেওঁলোকৰ বস্ত্ৰ হওঁক। ২৭
যিসকলে মোৰ ধাৰ্মিকতাত সন্তোষ পায়, তেওঁলোকে আনন্দ ধ্বনি
কৰি উল্লাসিত হওঁক; তেওঁলোকে সদায় কওঁক, “যিহোৱা মহান;
যিহোৱাই নিজ দাসৰ মঙ্গলত আনন্দ পায়।” ২৮ তাতে মোৰ জিভাই
তোমাৰ ধাৰ্মিকতাৰ কথা কব; ওৰে দিন তোমাৰ প্ৰশংসা কৰিব।

**৩৬** পাপে দুষ্টলোকৰ হৃদয়ৰ গভীৰতাত থাকি কথা কয়; দুষ্টলোকৰ
চকুৰ আগত ঈশ্বৰৰ প্ৰতি ভয় নাই। ২ তেওঁলোকে নিজৰ দৃষ্টিত
নিজকে প্ৰশংসা কৰি কয় যে, তেওঁলোকৰ পাপ ঈশ্বৰে নধৰিব আৰু
ঘৃণাৰ চকুৰেও নাচাব। ৩ তেওঁলোকৰ মুখৰ কথা দুষ্ট আৰু ছলনাপূৰ্ণ;
তেওঁলোকে সুবিবেচনা আৰু সদাচৰণ এৰিলে। ৪ তেওঁলোকে নিজৰ
শয্যাত দুষ্টতাৰ পৰিকল্পনা কৰে; অন্যায় পথত চলিবলৈ স্থিৰ কৰে
আৰু দুষ্ট কাৰ্যক ঘিণ নকৰে। ৫ হে যিহোৱা, তোমাৰ দয়া আকাশমণ্ডল
পৰ্যন্ত, আৰু তোমাৰ বিশ্বস্ততা মেঘলৈকে। ৬ তোমাৰ ধাৰ্মিকতা
পৰাক্ৰমী পৰ্ব্বতসমূহৰ নিচিনা; তোমাৰ শাসন প্ৰণালীবোৰ যেন গভীৰ
মহাসাগৰৰ নিচিনা। হে যিহোৱা, তুমি মনুষ্য আৰু পশু সকলোকে ৰক্ষা
কৰোঁতা। ৭ হে ঈশ্বৰ, তোমাৰ গভীৰ প্ৰেম কেনে বহুমূল্য! সকলো
মনুষ্যই যেন তোমাৰ ডেউকাৰ ছাঁয়াত আশ্ৰয় লয়। ৮ তেওঁলোকে যেন
তোমাৰ গৃহৰ প্ৰচুৰ আহাৰ খাই তৃপ্ত হয়; তুমি তোমাৰ আনন্দ-নদীৰ
পানী তেওঁলোকক পিবলৈ দিয়া। ৯ কিয়নো তোমাৰ লগত জীৱনৰ
ভুমুক আছে; তোমাৰ দীপ্তিতে আমি পোহৰ দেখো। ১০ যি সকলে
তোমাক জানে, তেওঁলোকৰ প্ৰতি যেন তোমাৰ প্ৰেম সদায় থাকে, যি

সকলৰ হৃদয় সৎ তেওঁলোকে যেন তোমাৰ পৰিত্ৰাণ পায়। ১১ মোক
অহঙ্কাৰীবোৰৰ ভৰিৰ তলত নেপেলাবা; দুষ্ট সকলৰ হাতে যেন মোক
দূৰলৈ খেদি পঠাব নোৱাৰে। ১২ যি সকলে দুষ্ট কাৰ্য কৰি ফুৰে, চোৱা
তেওঁলোক পতিত হ'ল; উঠিব নোৱাৰাকৈ তেওঁলোকক পেলোৱা হ'ল।

৩৭ তুমি দুষ্টবোৰৰ কাৰণে অস্থিৰ নহবা; কুকাৰ্য কৰাবোৰক দেখি
হিংসা নকৰিবা। ২ কিয়নো তেওঁলোক ঘাঁহৰ দৰে শীঘ্ৰেই শুকাই যাব,
সেউজীয়া তৃণৰ নিচিনাকৈ জঁয় পৰিব। ৩ যিহোৱাত ভাৰসা ৰাখা
আৰু সুকৰ্ম কৰা; দেশত বাস কৰা আৰু নিৰাপদে থাকা। ৪ যিহোৱাত
আনন্দ কৰা; তাতে তেওঁ তোমাৰ মনৰ বাঞ্ছা পূৰ্ণ কৰিব। ৫ তোমাৰ
পথ যিহোৱাত সমৰ্পণ কৰা; তেওঁত ভাৰসা ৰাখা; তাতে তেৱেঁই
সকলো কৰিব। ৬ তেৱেঁই তোমাৰ সততা দীপ্তিৰ দৰে উজ্জ্বল কৰি
তুলিব; তোমাৰ ন্যায় কাৰ্য দুপৰীয়াৰ ৰ'দৰ নিচিনাকৈ প্ৰকাশ কৰিব।
৭ যিহোৱাৰ আগত শান্ত হোৱা; ধৈৰ্যেৰে তেওঁলৈ অপেক্ষা কৰা। যি
মানুহে নিজৰ দুষ্ট পৰিকল্পনাৰে কৃতকাৰ্য্য হবলৈ কৰ্ম কৰে, তাত তুমি
অসন্তোষ্ট নহ'বা; ৮ ক্ৰোধ এৰা, কোপ ত্যাগ কৰা; বেজাৰ নকৰিবা,
কেৱল হানিহে হয়। ৯ কিন্তু দুষ্টবোৰ উচ্ছন্ন হব, কিন্তু যিহোৱালৈ
অপেক্ষা কৰা লোকে হলে দেশ অধিকাৰ কৰিব। ১০ কিন্তু অলপতে
দুষ্টলোক শেষ হৈ যাব; তুমি যত্নেৰে বিচাৰিলেও তেওঁলোকৰ ঠাইত
তেওঁলোকক পোৱা নাযাব। ১১ কিন্তু নম্ৰসকলে দেশ অধিকাৰ কৰিব;
প্ৰচুৰ আশীৰ্বাদ পাই তেওঁলোক আনন্দিত হব। ১২ দুষ্টই ধাৰ্মিকলোকৰ
বিৰুদ্ধে কুমন্ত্ৰণা কৰে; তেওঁলোকৰ বিৰুদ্ধে দাঁত কৰঁচে। ১৩ প্ৰভুৱে
তেওঁলোকক দেখি হাঁহিছে; কিয়নো তেওঁ দেখিছে যে, তেওঁলোকৰ
শেষ দিন চাপি আহিছে। ১৪ দুখী-দৰিদ্ৰক বিনাশ কৰিবলৈ আৰু সৎ
পথত চলাসকলক বধ কৰিবলৈ, দুষ্টবোৰে নিজৰ তৰোৱাল উলিয়াইছে
আৰু নিজৰ নিজৰ ধনু ভিৰাইছে। ১৫ কিন্তু তেওঁলোকৰ তৰোৱাল
তেওঁলোকৰ নিজৰ বুকুতে সোমাব, আৰু তেওঁলোকৰ ধনু ভঙা হব। ১৬
দুষ্টলোকৰ প্ৰচুৰ ধনৰাশিতকৈয়ো, ধাৰ্মিকৰ অলপ সম্পত্তিয়েই ভাল।
১৭ কিয়নো দুষ্টবোৰৰ বাহু ভঙা হব। কিন্তু যিহোৱাই ধাৰ্মিকসকলক
ধৰি ৰাখিব। ১৮ সিদ্ধ লোকৰ সকলো দিন যিহোৱাই জানে, আৰু

তেওঁলোকৰ আধিপত্য চিৰকাললৈকে থাকিব। ১৯ সঙ্কটৰ সময়ত
তেওঁলোক লাজত নপৰিব, আৰু আকালৰ সময়ত তেওঁলোক তৃপ্ত হব।
২০ দুষ্টবোৰ বিনষ্ট হব, যিহোৱাৰ শত্রুবোৰ পথাৰৰ তৃণৰ শোভাৰ
সদৃশ হব; তেওঁলোক অদৃশ্য হৈ যাব; ধোঁৱাৰ নিচিনাকৈ তেওঁলোক
নোহোৱা হ'ব। ২১ দুষ্টই ধাৰে লয়, কিন্তু তাক পৰিশোধ নকৰে;
কিন্তু ধাৰ্মিক লোক দয়াৱান আৰু দানশীল। ২২ যিহোৱাৰ আশীৰ্ব্বাদ
পোৱাসকল পৃথিবীৰ অধিকাৰী হব, কিন্তু যি সকলক তেওঁ অভিশাপ
দিয়ে, তেওঁলোক উচ্ছন্ন হব। ২৩ যিহোৱাই আমাৰ খোজৰ গতি স্থিৰ
কৰে; তেওঁ তেওঁৰ পথত সন্তোষ পায়। ২৪ তেওঁ উজুতি খাই পৰিলেও
নিচেইকৈ পতিত নহব; কিয়নো যিহোৱাৰ হাতেই তেওঁক ধৰি ৰাখিছে।
২৫ মই যুৱক আছিলোঁ, এতিয়া বুঢ়া হ'লো; কিন্তু মই ধাৰ্মিকক ত্যাগ
কৰা, নাইবা তেওঁলোকৰ বংশধৰসকলে ভিক্ষা কৰা, এনে কেতিয়াও
দেখা নাই। ২৬ ধাৰ্মিকসকল সদায় দয়ালু, আৰু তেওঁলোকে ধাৰে
দিয়ে; তেওঁলোকৰ বংশই আশীৰ্ব্বাদ পায়। ২৭ তুমি দুষ্টতাৰ পৰা
আতৰি আহাঁ আৰু ভাল কৰ্ম কৰা; তুমি চিৰকাল জীয়াই থাকিবা। ২৮
কিয়নো যিহোৱাই ন্যায় বিচাৰ ভাল পায়, তেওঁৰ ভক্তসকলক তেওঁ
পৰিত্যাগ নকৰে; অনন্ত কাললৈকে তেওঁলোকক ৰক্ষা কৰা হ'ব; কিন্তু
দুষ্টবোৰৰ বংশক হলে ধ্বংস কৰা হ'ব। ২৯ ধাৰ্মিকসকল পৃথিবীৰ
অধিকাৰী হব; তেওঁলোক তাত সৰ্ব্বতিকাললৈকে বাস কৰিব। ৩০
ধাৰ্মিকৰ মুখে জ্ঞানৰ কথা প্ৰচাৰ কৰে, তেওঁলোকৰ জিভাই ন্যায়
কথা প্ৰকাশ কৰে। ৩১ তেওঁলোকৰ ঈশ্বৰৰ ব্যৱস্থা তেওঁলোকৰ
হৃদয়ত আছে; তেওঁলোকৰ ভৰি পিছলি নাযায়। ৩২ দুষ্টলোকে ধাৰ্মিক
লোকলৈ খাপ পাতি থাকে, তেওঁলোকক বধ কৰিবলৈ বিচাৰে। ৩৩
কিন্তু যিহোৱাই দুষ্টলোকৰ হাতত তেওঁলোকক এৰি নিদিব, বিচাৰত
তেওঁলোকক দোষী নকৰিব। ৩৪ যিহোৱাৰ অপেক্ষাত থাকা, তেওঁৰ
পথত চলা; তাতে তেওঁ পৃথিবীৰ অধিকাৰী হবলৈ তোমাক উন্নত
কৰিব। দুষ্টবোৰ উচ্ছন্ন হ'লে তুমি তাক দেখিবলৈ পাবা। ৩৫ মই
দুষ্টলোকৰ অত্যাচাৰ বৃদ্ধি পোৱা দেখিলোঁ, সেউজ গছৰ দৰে বাঢ়ি
যোৱা দেখিলোঁ। ৩৬ কিন্তু মই পুনৰ যেতিয়া ওচৰেদি পাৰ হৈ গ'লো,

তেওঁলোক নোহোৱা হ'ল; মই বিচাৰিলোঁ, কিন্তু তেওঁলোকক পোৱা
নগ'ল। ৩৭ সিদ্ধ লোকৰ জীৱনলৈ লক্ষ্য কৰা, সৎ লোকসকলক
নিৰীক্ষণ কৰা; কিয়নো শান্তিপ্ৰিয় লোকৰ বংশৰ কল্যাণ হয়। ৩৮ কিন্তু
পাপী লোক সম্পূৰ্ণকৈ ধ্বংস হ'ব; দুষ্টলোকৰ বংশ ধ্বংস হ'ব। ৩৯
ধাৰ্মিকসকলৰ পৰিত্ৰাণ যিহোৱাৰ পৰা আহে; সঙ্কটৰ কালত তেৱেঁই
তেওঁলোকৰ আশ্ৰয়। ৪০ যিহোৱাই তেওঁলোকক সহায় আৰু ৰক্ষা
কৰে; দুষ্ট লোকসকলৰ হাতৰ পৰা তেৱেঁই তেওঁলোকক উদ্ধাৰ কৰি
পৰিত্ৰাণ দিয়ে, কিয়নো তেওঁলোকে তেওঁতে আশ্ৰয় লৈছে।

**৩৮** হে যিহোৱা, তোমাৰ ক্ৰোধত মোক ধমকি নিদিবা; তোমাৰ
প্ৰচণ্ড কোপত মোক শাস্তি নিদিবা। ২ কিয়নো তোমাৰ কাঁড়বোৰে
মোক বিন্ধিছে, তোমাৰ হাতে মোক বৰকৈ হেঁচি ধৰিছে। ৩ তোমাৰ
ক্ৰোধৰ কাৰণে মোৰ শৰীৰত ক'তো সুস্থতা নাই; মোৰ পাপৰ কাৰণে
মোৰ অস্থিবোৰত স্বাস্থ্য নাই। ৪ মোৰ মূৰৰ ওপৰলৈকে মোৰ অনেক
অপৰাধবোৰ উঠিছে; সেইবোৰ মোৰ বাবে বৰ নোৱাৰা অতি গধুৰ
বোজাৰ নিচিনাও হৈছে। ৫ মোৰ অজ্ঞানতাৰ কাৰণে মোৰ ঘাঁবোৰ
গেলি দুৰ্গন্ধময় হৈছে। ৬ মই দুখ পাই বৰ কুঁজা হৈ পৰিছো, ওৰে
দিনটো শোকাতুৰ হৈ ফুৰিছোঁ। ৭ মোৰ কঁকালত জ্বলা-পোৰাৰ বিষ
হৈছে, মোৰ শৰীৰৰ ক'তো সুস্থতা নাই। ৮ মই বৰ দুৰ্ব্বল আৰু ভাগি
পৰিছোঁ; মনৰ ব্যাকুলতাত মই কেঁকাই আছোঁ। ৯ হে যিহোৱা, মোৰ
সকলো কামনা-বাসনা তুমি জানা; মোৰ হুমুনিয়াহ তোমাৰ পৰা লুকাই
থকা নাই। ১০ মোৰ বুকু ধপধপাইছে; মোৰ শক্তি নোহোৱা হৈ গৈছে;
এনে কি মোৰ চকুও অন্ধকাৰ হৈ গৈছে। ১১ মোৰ এই অৱস্থা দেখি,
বন্ধু-বান্ধৱ আৰু সংগীসকলে মোৰ আপদৰ পৰা আঁতৰত থিয় হৈ
থাকে, মোৰ চুবুৰীয়াসকলেও আঁতৰত থাকে। ১২ যিসকলে মোৰ
প্ৰাণ বিচাৰে, তেওঁলোকে মোলৈ ফান্দ পাতিছে, যিসকলে মোৰ অনিষ্ট
কৰিবলৈ বিচাৰে, তেওঁলোকে ধ্বংসৰ কথা কয়; তেওঁলোকে ওৰে
দিনটো কেৱল ছলনা কৰিবলৈকে চিন্তা কৰি থাকে। ১৩ মই কলা
মানুহৰ নিচিনা হ'লো, একোকে নুশুনো; মই মুখ মেলিব নোৱাৰা
বোবা মানুহৰ নিচিনা হ'লো। ১৪ যি মানুহে নুশুনে, যাৰ মুখত কোনো

উত্তৰ নাই, মই এনে মানুহৰ নিচিনাই হ’লো। ১৫ হে যিহোৱা, মই
তোমালৈহে অপেক্ষা কৰি আছোঁ; হে মোৰ ঈশ্বৰ যিহোৱা, তুমিয়েই
উত্তৰ দিবা। ১৬ মই প্ৰাৰ্থনা কৰি কওঁ, “যেতিয়া মোৰ ভৰি পিছলি যায়,
মোৰ বিৰুদ্ধে যিসকলে অহংকাৰ কৰে, তুমি তেওঁলোকক মোৰ ওপৰত
আনন্দ কৰিবলৈ নিদিবা।” ১৭ মইতো প্ৰায় পৰিয়েই গ’লো; মোৰ ক্লেশ
সদায় মোৰ লগতে আছে। ১৮ মোৰ অপৰাধ মই স্বীকাৰ কৰিছোঁ;
মোৰ পাপৰ কাৰণে মই দুঃখিত হৈছোঁ। ১৯ যিসকল অকাৰণতে মোৰ
শত্ৰু হৈছে, তেওঁলোক শক্তিশালী। যিসকলে অকাৰণে মোক ঘৃণা
কৰে, তেওঁলোক অনেক। ২০ মোৰ উপকাৰৰ সলনি তেওঁলোকে
মোলৈ অপকাৰহে কৰে; যদিও মই সৎকৰ্ম কৰোঁ, তেওঁলোক মোৰ
বিৰোধী। ২১ হে যিহোৱা, মোক ত্যাগ নকৰিবা। হে মোৰ ঈশ্বৰ, মোৰ
ওচৰৰ পৰা তুমি আঁতৰত নাথাকিবা। ২২ হে মোৰ যিহোৱা, মোৰ
পৰিত্ৰাণকৰ্তা; মোক সহায় কৰিবলৈ তুমি শীঘ্ৰে আহাঁ।

**৩৯** মই কৈছিলোঁ, “মই মোৰ পথত সাৱধানে চলিম; যাতে মোৰ
জিভাৰে মই পাপ নকৰোঁ; যেতিয়ালৈকে দুষ্টতা মোৰ আগত থাকে,
তেতিয়ালৈকে মোৰ মুখত সোপা দি ৰাখিম।” ২ মই মুখ বন্ধ কৰি মনে
মনে আছিলোঁ; যি ভাল, তাকো নক’লো। তাতে মোৰ মনৰ বেজাৰ
অধিকতৰ বৃদ্ধি পালে। ৩ মই মোৰ অন্তৰ্জ্বালাত দহিছো। মই যেতিয়া
মনে মনে এইবোৰ কথা ভাৰি আছিলোঁ, তেতিয়া অন্তৰত যেন জুই
জ্বলিবলৈ ধৰিছিল; তাৰ পাছত মই মোৰ জিভাৰে কথা ক’লোঁ, ৪ “হে
যিহোৱা, মোৰ জীৱনৰ শেষ গতি মোক জনোৱা; মোৰ আয়ুস কিমান
দিনলৈকে আছে, তাক মোক জানিবলৈ দিয়া; মোৰ জীৱন যে কেনে
অলপদিনীয়া, তাক মোক জ্ঞাত কৰা। ৫ চোৱা, তুমি মোৰ দিনবোৰ
এবেগেতীয়া কৰিলা; তোমাৰ দৃষ্টিত মোৰ জীৱনকাল একো নোহোৱাৰ
নিচিনা; বাস্তৱিক, সকলো মানুহ এক নিশ্বাস মাথোন। (চেলা) ৬
বাস্তৱিক প্ৰতিজন মানুহে ছাঁস্বৰূপে অহা যোৱা কৰে; তেওঁলোকে
অনৰ্থক ৰূপে কেৱল হুৰামুৰা কৰে; তেওঁলোকে ধন দমাই থয়, কিন্তু
কোনে তাক ভোগ কৰিব, তাক নাজানে। ৭ “হে প্ৰভু, তেনেহলে
মই কিহলৈ অপেক্ষা কৰিম? মোৰ আশা তোমাৰ ওপৰতে। ৮ মোৰ

সকলো অপৰাধৰ পৰা তুমি মোক উদ্ধাৰ কৰা; বিবেকহীন লোকৰ
ওচৰত তুমি মোক ঘৃণাৰ পাত্ৰ নকৰিবা। ৯ মই মনে মনে আছোঁ;
মুখ নেমেলিম; কিয়নো তুমিয়েই এই সকলো কষ্ট হ'বলৈ দিছা।
১০ মোৰ ওপৰৰ পৰা তোমাৰ শাস্তি তুমি দূৰ কৰা; তোমাৰ হাতৰ
আঘাতত মই প্ৰায় শেষ হৈ গৈছোঁ। ১১ তুমি যেতিয়া অপৰাধৰ কাৰণে
মানুহক ধমকি দি শাসন কৰা, তেতিয়া পোকে নষ্ট কৰাৰ দৰে তুমি
তেওঁলোকৰ সৌন্দৰ্য্য নষ্ট কৰি দিয়া। বাস্তৱিক সকলো মানুহ এক
নিশ্বাস মাথোন। (চেলা) ১২ হে যিহোৱা, মোৰ প্ৰাৰ্থনা শুনা, আৰু মোৰ
কাতৰোক্তিলৈ কাণ পাতা; মোৰ চকুলো দেখি নিৰৱে নাথাকিবা! মোৰ
সকলো পূৰ্বপুৰুষসকলৰ নিচিনাকৈ মই তোমাৰ সন্মুখত পৰদেশত
বাস কৰা বিদেশীৰ দৰে আছোঁ। ১৩ মোৰ ওপৰৰ পৰা তোমাৰ কঠোৰ
দৃষ্টি আঁতৰাই নিয়া, যাতে মই যোৱাৰ আগেয়ে অৰ্থাৎ মৃত্যুৰ আগেয়ে,
পুনৰ হাঁহিব পাৰোঁ।"

**৪০** মই ধৈৰ্যৰে যিহোৱালৈ অপেক্ষা কৰিছিলোঁ; তাতে তেওঁ মোলৈ
কাণ পাতি মোৰ কাতৰোক্তি শুনিলে। ২ তেওঁ মোক বিনাশৰ গাতৰ
পৰা তুলি আনিলে, পঙ্কিল জলাশয়ৰ পৰা তুলিলে। শিলৰ ওপৰত
মোৰ ভৰি ৰাখিলে আৰু মোৰ গতি স্থিৰ কৰিলে। ৩ তেওঁ মোৰ মুখত
এটি নতুন গীত দিলে, আমাৰ ঈশ্বৰৰ উদ্দেশ্যে প্ৰশংসাৰ গীত দিলে;
অনেক লোকে তাকে দেখি ভয় খাব আৰু তেওঁলোকে যিহোৱাত
ভাৰসা কৰিব। ৪ ধন্য সেই লোক, যি লোকে যিহোৱাৰ ওপৰত
ভাৰসা কৰে; যিজনে অহংকাৰীবোৰৰ ফালে নুঘূৰে, নাইবা মিছা
দেৱতাবোৰৰ পাছত চলি অপথে যোৱাসকলৰ দিশে নুঘূৰে। ৫ হে
মোৰ ঈশ্বৰ যিহোৱা, তুমি তোমাৰ অনেক আচৰিত কাৰ্য কৰিছা,
আমাক লৈ তোমাৰ পৰিকল্পনা অনেক, তোমাৰ লগত কাকো তুলনা
কৰিব নোৱাৰি, মই যদি সেইবোৰ ঘোষণা আৰু বৰ্ণনা কৰোঁ, গণনা
কৰিব নোৱাৰাকৈ অলেখ হ'ব। ৬ তুমি বলিদান আৰু নৈবেদ্যত সন্তোষ
নোপোৱা; তুমি মোক শুনিবলৈ শ্ৰৱণ শক্তি দিলা; হোম-বলি আৰু
পাপাৰ্থক বলি তুমি বিচাৰা নাই। ৭ তেতিয়া মই ক'লো, "এইয়া মই
আহিছোঁ; পুস্তক খনত মই অহাৰ বিষয়ে লিখা আছে। ৮ হে মোৰ

ঈশ্বৰ, তোমাৰ ইচ্ছাত চলাতেই মোৰ আনন্দ; তোমাৰ সকলো ব্যৱস্থা
মোৰ অন্তৰত আছে।” ৯ মই মহা-সমাজত তোমাৰ মুক্তিৰ শুভবাৰ্ত্তা
প্ৰচাৰ কৰোঁ; হে যিহোৱা, চোৱা, তুমিয়েই জানা মই যে ওঁঠ বন্ধ কৰি
ৰখা নাই। ১০ তোমাৰ উদ্ধাৰৰ সহায়ৰ কথা মই মোৰ হৃদয়ত লুকুৱাই
ৰখা নাই; তোমাৰ বিশ্বস্ততা আৰু পৰিত্ৰাণৰ কথা মই প্ৰচাৰ কৰিলোঁ;
তোমাৰ দয়া আৰু সত্যতা মই মহাসমাজৰ পৰা গুপুতে ৰখা নাই। ১১
হে যিহোৱা, তুমি মোৰ পৰা তোমাৰ দয়া ধৰি নাৰাখিবা; তোমাৰ
প্ৰেম আৰু বিশ্বস্ততাই মোক সদায় ৰক্ষা কৰক। ১২ কিয়নো অসংখ্য
বিপদে মোক বেৰি ধৰিছে; মোৰ অপৰাধবোৰে মোক খেদি অতৰ্কিতে
ধৰিছে; মই অপৰাধবোৰ দেখা নোপোৱা হ'লো; সেইবোৰ মোৰ মূৰৰ
চুলিতকৈয়ো অধিক হ'ল; মোৰ সাহস নোহোৱা হৈছে। ১৩ হে যিহোৱা,
মোক উদ্ধাৰ কৰিবলৈ ইচ্ছুক হোৱা; হে যিহোৱা, মোক সহায় কৰিবলৈ
খৰ কৰা। ১৪ যিসকলে মোৰ প্ৰাণ বিনাশ কৰিবলৈ বিচাৰে, তেওঁলোক
লজ্জিত আৰু অপমানিত হওঁক; যিসকলে মোৰ সৰ্বনাশ কামনা কৰে,
তেওঁলোকে অপমান পাই ঘূৰি যাওঁক। ১৫ যিসকলে মোক দেখি
কয়, “ভাল হৈছে, ভাল হৈছে,” তেওঁলোকে নিজে লাজ পাই হতভম্ব
হওঁক। ১৬ কিন্তু তোমাক বিচৰাসকলে তোমাতেই আনন্দিত আৰু
উল্লাসিত হওঁক; তোমাৰ পৰিত্ৰাণ ভালপোৱাসকলে সকলো সময়তে
কওঁক, “যিহোৱা মহান।” ১৭ কিন্তু মই হলে দুখী আৰু দৰিদ্ৰ; তথাপি
মোৰ বাবে যিহোৱাই চিন্তা কৰে, হে মোৰ ঈশ্বৰ, তুমি পলম নকৰিবা;
তুমিয়েইতো মোৰ সহায়, আৰু উদ্ধাৰকৰ্তা।

**৪১** ধন্য সেই লোক, যি লোকে দুখী-দৰিদ্ৰলৈ চিন্তা কৰে; যিহোৱাই
তেওঁলোকক সঙ্কটৰ কালত উদ্ধাৰ কৰে। ২ যিহোৱাই তেওঁলোকক
ৰক্ষা কৰি জীয়াই ৰাখে; তেওঁলোক দেশত সুখী হ'ব; তুমি তেওঁলোকক
শত্ৰুবোৰৰ ইচ্ছাত সমৰ্পণ নকৰিবা। ৩ তেওঁলোক অসুস্থ হৈ শয্যাত
পৰি থাকিলে, যিহোৱাই তেওঁলোকক সহায় কৰে; নৰিয়া অৱস্থাত তুমি
তেওঁলোকৰ সকলো ৰোগ সুস্থ কৰা। ৪ মই ক'লো, “হে যিহোৱা,
মোক কৃপা কৰা, মোক সুস্থ কৰা, কিয়নো মই তোমাৰ বিৰুদ্ধে পাপ
কৰিলোঁ।” ৫ মোৰ শত্ৰুবোৰে মোৰ বিৰুদ্ধে হিংসা কৰি কয়, “সি

কেতিয়া মৰিব? কেতিয়া তাৰ নাম লুপ্ত হব?” ৬ তেওঁলোকৰ কোনোৱে
মোক চাবলৈ আহিলে, অনৰ্থক কথাবোৰ কয়; তেওঁলোকৰ হৃদয়
দুষ্টতাৰে ভৰি থাকে আৰু বাহিৰলৈ গৈ তাক কৈ ফুৰে। ৭ মোক ঘৃণা
কৰা সকলোৱে একেলগে মিলি মোৰ বিৰুদ্ধে ফুচফুচায়; তেওঁলোকে
মোৰ অনিষ্ট কৰিবলৈ একত্রিত হৈ আলোচনা কৰে। ৮ তেওঁলোকে
ভাৱে যে মোক কিবা ভয়ানক বেয়া বস্তুৱে ধৰিছে; সেয়ে মই য'ত পৰি
আছোঁ, তাৰ পৰা পুনৰায় নুঠিম।” ৯ মোৰ যি অন্তৰঙ্গ মিত্ৰ, যিজনক
মই বিশ্বাস কৰিছিলোঁ আৰু যি জনে মোৰ লগত আহাৰ কৰিছিল, মোৰ
সেই বন্ধুৱেও মোৰ বিৰুদ্ধে ভৰি দাঙিলে। ১০ কিন্তু হে যিহোৱা, তুমি
মোৰ প্ৰতি কৃপা কৰা; মোক তোলা যাতে মই তেওঁলোকক প্ৰতিফল
দিব পাৰোঁ। ১১ ইয়াৰ দ্বাৰা মই জানিম যে তুমি মোৰ ওপৰত সন্তুষ্ট,
কিয়নো মোৰ শত্ৰু মোৰ ওপৰত জয়ী হ'ব নোৱাৰিলে। ১২ তুমি মোৰ
সততাৰ কাৰণে মোক ধৰি ৰাখিলা; তুমি অনন্ত কালৰ কাৰণে মোক
তোমাৰ সন্মুখত উপস্থিত কৰিলা। ১৩ ধন্য ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱা,
অনাদি কালৰ পৰা অনন্ত কাল পৰ্যন্ত। আমেন, আৰু আমেন।

**৪২** হৰিণীয়ে যেনেকৈ জুৰিলৈ অতি হাবিয়াহ কৰে, তেনেকৈ হে
ঈশ্বৰ, মোৰ প্ৰাণ তোমাৰ বাবে আকুল হৈছে। ২ ঈশ্বৰৰ কাৰণে,
জীৱন্ত ঈশ্বৰৰ কাৰণে মোৰ প্ৰাণ তৃষ্ণাতুৰ হৈছে; মই কেতিয়া আহি
ঈশ্বৰৰ সাক্ষাতে উপস্থিত হ'ম? ৩ মোৰ চকুলো দিনে-ৰাতিয়ে মোৰ
আহাৰ হ'ল, কিয়নো লোকসকলে ওৰে দিনটো মোক কয়, “তোমাৰ
ঈশ্বৰ ক'ত আছে?” ৪ কান্দোনত যেতিয়া মোৰ অন্তৰাত্মা ভাগি
পৰে, তেতিয়া এইবোৰ কথা মই সোঁৱৰণ কৰোঁ পৰ্ব পালন কৰা
লোক সমূহক লৈ মই কেনেকৈ আনন্দ-ধ্বনি আৰু ধন্যবাদেৰে ঈশ্বৰৰ
গৃহলৈ গৈছিলোঁ। ৫ হে মোৰ মন, তুমি কিয় নিৰাশ হৈছা? কিয় মোৰ
অন্তৰত ব্যাকুল হৈছা? ঈশ্বৰত ভাৰসা কৰা; কাৰণ মই পুনৰায় তেওঁৰ
স্তুতি কৰিম। তেৱেঁই মোৰ সহায়, মোৰ ঈশ্বৰ। ৬ মোৰ প্ৰাণ মোৰ
অন্তৰত নিৰাশ হৈছে; সেইবাবে মই যৰ্দ্দনৰ দেশৰ পৰা, হৰ্মোণ গিৰি-
শ্ৰেণী আৰু মিচিয়ৰ পৰ্ব্বতৰ পৰা তোমাৰ কথা ভাবিছোঁ। ৭ তোমাৰ
জলপ্ৰপাতৰ শব্দত জল সমূহে জল সমূহক মাতিছে; তোমাৰ সকলো

ঢৌ আৰু তৰঙ্গবোৰ মোৰ ওপৰেদি বৈ গৈছে। ৮ যিহোৱাই দিনত
তেওঁৰ গভীৰ প্ৰেমক মোৰ ওপৰত আদেশ কৰে আৰু ৰাতি তেওঁৰ
গীত মোৰ সঙ্গী হয়; মোৰ জীৱনদাতা ঈশ্বৰলৈ মোৰ প্ৰাৰ্থনা। ৯ মই
মোৰ শিলা ঈশ্বৰক কম, “কিয় তুমি মোক পাহৰিলা? মই কিয় শত্ৰুৰ
উপদ্ৰৱৰ কাৰণে বিষন্ন মনেৰে ফুৰিছো?” ১০ মোৰ শত্ৰুবোৰে যেতিয়া
মোক ঠাট্টা কৰি কৈ থাকে যে “তোমাৰ ঈশ্বৰ ক'ত আছে” তেতিয়া
মোৰ এনে হ'য় যেন মোৰ শৰীৰৰ অস্থিবোৰ গুড়া হৈ গৈছে। ১১ হে
মোৰ প্ৰাণ, তুমি কিয় নিৰাশ হৈছা? কিয় মোৰ অন্তৰত ব্যাকুল হৈছা?
ঈশ্বৰত ভাৰসা কৰা; কাৰণ মই পুনৰায় তেওঁৰ স্তুতি কৰিম। তেওঁ
মোৰ সহায়, আৰু মোৰ ঈশ্বৰ।

**৪৩** হে ঈশ্বৰ, মোৰ বিচাৰ কৰা; ঈশ্বৰ ভয়হীন জাতিৰ বিৰুদ্ধে মোৰ
পক্ষে কথা কোৱা; ছল আৰু অন্যায়কাৰী মানুহৰ পৰা মোক ৰক্ষা কৰা।
২ কিয়নো তুমিয়েই মোৰ ঈশ্বৰ, মোৰ দুৰ্গ; তুমি মোক কিয় ত্যাগ
কৰিলা? মই কিয় শত্ৰুৰ উপদ্ৰৱৰ কাৰণে বিষন্ন মনেৰে ফুৰিছোঁ? ৩
তোমাৰ দীপ্তি আৰু সত্যতাক পঠাই দিয়া; সেইবোৰেই মোৰ পথদৰ্শক
হওঁক; সেইবোৰেই মোক তোমাৰ সেই পবিত্ৰ পৰ্ব্বতলৈ আৰু তোমাৰ
আবাসলৈ লৈ যাওঁক। ৪ তাতে মই ঈশ্বৰৰ যজ্ঞ-বেদীৰ ওচৰলৈ যাম,
মোৰ পৰম আনন্দৰ ঈশ্বৰৰ ওচৰলৈ যাম; হে ঈশ্বৰ, হে মোৰ ঈশ্বৰ,
মই বীণাৰে তোমাৰ ধন্যবাদ কৰিম। ৫ হে মোৰ মন, তুমি কিয় নিৰাশ
হৈছা? কিয় মোৰ অন্তৰত ব্যাকুল হৈছা? ঈশ্বৰত ভাৰসা কৰা; কাৰণ
মই পুনৰায় তেওঁৰ স্তুতি কৰিম। তেৱেঁই মোৰ সহায়, মোৰ ঈশ্বৰ।

**৪৪** হে ঈশ্বৰ, আমি আমাৰ নিজৰ কাণেৰে শুনিলোঁ; পূৰ্বকালত
আমাৰ পূৰ্বপুৰুষ সকলৰ দিনত তুমি যি যি কাৰ্য কৰিছিলা, সেই সম্বন্ধে
আমাক তেওঁলোকে ক'লে। ২ তুমি তোমাৰ নিজৰ হাতেৰেই আন
জাতিবোৰক খেদি দিছিলা; সেই ঠাইত তুমি আমাৰ লোকসকলক
স্থাপন কৰিলা। তুমি সেই সকলো লোকক নাশ কৰিলা, কিন্তু আমাৰ
লোকসকলক তুমি মুক্ত কৰি বিস্তাৰিত কৰিলা। ৩ তেওঁলোকে নিজৰ
তৰোৱালৰ দ্বাৰাই সেই দেশ অধিকাৰ কৰা নাছিল, নিজৰ বাহুৰ
শক্তিত জয় লাভ কৰা নাছিল; কিন্তু তোমাৰ সোঁ হাত, তোমাৰ

বাহু, আৰু তোমাৰ মুখৰ দীপ্তিয়েহে তাক কৰিছিল; কিয়নো আমাৰ
লোকসকলৰ ওপৰত তোমাৰ অনুগ্ৰহ আছিল। ৪ তুমিয়েই মোৰ ৰজা,
তুমিয়েই মোৰ ঈশ্বৰ; যাকোবৰ জয়ৰ বাবে তুমিয়েই আজ্ঞা কৰা। ৫
আমাৰ শত্ৰুবোৰক আমি তোমাৰ দ্বাৰায়েই তললৈ ঠেলি পঠাম; আমাৰ
বিপক্ষে উঠাসকলক আমি তোমাৰ নামত ভৰিৰ তলত গচকিম। ৬ মই
নিজৰ ধনুৰ ওপৰত ভাৰসা নকৰোঁ, মোৰ তৰোৱালে মোক ৰক্ষা কৰিব
নোৱাৰে। ৭ কিন্তু তুমিয়েই শত্ৰুবোৰৰ পৰা আমাক ৰক্ষা কৰিলা, আৰু
আমাক ঘৃণা কৰা সকলক তুমি লাজত পেলালা। ৮ ঈশ্বৰৰ নামতে
আমি সকলো সময়তে গৰ্ব কৰি আহিছোঁ; চিৰকাল আমি তোমাৰ নামৰ
ধন্যবাদ কৰি থাকিম। (চেলা) ৯ কিন্তু তুমি এতিয়া আমাক ত্যাগ
কৰিলা, আমাক অপমানিত কৰিলা; আমাৰ সৈন্য সমূহৰ লগত তুমি
যাত্ৰা নকৰা। ১০ শত্ৰুৰ সন্মুখৰ পৰা তুমি আমাক পাছ হুঁহুকি আহিবলৈ
বাধ্য কৰিলা; আমাক শত্ৰুবোৰে আমাক লুট কৰিছে। ১১ তুমি আমাক
কাটিবলৈ নিয়া মেৰ-ছাগৰ দৰে কৰিলা; জাতিবোৰৰ মাজত আমাক
সিঁচৰতি কৰিলা। ১২ তুমি তোমাৰ লোক সমূহক, বিনামূল্যেই বেচিলা,
তেওঁলোকৰ বিনিময়ত তুমি অধিক ধন নিবিচাৰিলা। ১৩ ওচৰ-
চুবুৰীয়াৰ আগত তুমি আমাক নিন্দাৰ বিষয় কৰিছা; চাৰিওফালৰ
লোক সকলৰ ওচৰত আমাক বিদ্ৰূপ আৰু তুচ্ছজ্ঞানৰ পাত্ৰ কৰিছা।
১৪ অন্যান্য জাতিবোৰৰ মাজত তুমি আমাক দৃষ্টান্ত কৰিছা; লোক
সকলৰ মাজত আমাক হাঁহিয়াতৰ পাত্ৰ কৰিছা। ১৫ ওৰে দিনটো মোৰ
অপমান মোৰ আগতে আছে, আৰু মোৰ মুখৰ লাজে মোক ঢাকিছে;
১৬ মোক নিন্দা আৰু তুচ্ছ জ্ঞান কৰাসকলৰ কথাৰ কাৰণে, শত্ৰু আৰু
প্ৰতিহিংসাকাৰী সকলৰ কাৰণে, ১৭ আমালৈ এই সকলো ঘটিল;
তথাপি আমি তোমাক পাহৰা নাই, অথবা তোমাৰ ব্যৱস্থাৰ বিষয়ে
বিশ্বাস-ঘাতকতা কৰা নাই। ১৮ তোমাৰ পৰা আমাৰ মন ঘূৰা নাই;
তোমাৰ পথৰ পৰাও আমাৰ ভৰি আঁতৰি যোৱা নাই। ১৯ তথাপিও
তুমি আমাক শিয়ালবোৰৰ ঠাইত গুড়ি কৰিলা, মৃত্যুচ্ছায়াৰে আমাক
ঢাকি ধৰিলা। ২০ আমাৰ ঈশ্বৰক যদি আমি পাহৰিলোঁ, নাইবা আমাৰ
হাত যদি আন কোনো দেৱতাৰ ফালে আগবঢ়াইছো, ২১ তেন্তে ঈশ্বৰে

জানো তাক নাজানিব? কিয়নো তেওঁ মনৰ গোপনীয় সকলো কথাই
জানে। ২২ কিন্তু তথাপিও তোমাৰ কাৰণেই আমি গোটেই দিনটো হত
হৈছোঁ; আমি বধ কৰিব লগীয়া মেৰ-ছাগৰ নিচিনা গণিত হৈছোঁ। ২৩
হে যিহোৱা, সাৰ পোৱা, তুমি কিয় টোপনিয়াই আছা? জাগি উঠা,
চিৰকাললৈকে আমাক ত্যাগ নকৰিবা! ২৪ তুমি কিয় তোমাৰ মুখ ঢাকি
ৰাখিছা? আমাৰ ক্লেশ আৰু উপদ্ৰৱ কিয় পাহৰিছা? ২৫ আমাৰ প্ৰাণ
ধূলিলৈকে নামি হৈছে, আমাৰ শৰীৰ মাটিত লাগি গৈছে। ২৬ উঠি
আহা, আমাক সহায় কৰা; তোমাৰ গভীৰ প্ৰেম অনুসাৰে তুমি আমাক
মুক্ত কৰা।

**৪৫** মোৰ হৃদয় ভাল সুন্দৰ ভাৱধাৰাৰে ভৰি পৰিছে; ৰজাৰ উদ্দেশ্যে
মই কবিতা ৰচিছো; মোৰ জিভা লেখকৰ কলমৰ দৰে হৈ উঠিছে।
২ মানুহৰ সন্তান সকলতকৈ তুমি পৰম সুন্দৰ; তোমাৰ ওঁঠযোৰি
অনুগ্ৰহেৰে পৰিপূৰ্ণ; ঈশ্বৰে চিৰকাললৈকে তোমাক আশীৰ্ব্বাদ কৰিলে।
৩ হে বীৰ, তোমাৰ তৰোৱাল কঁকালত বান্ধি লোৱা; গৌৰৱ আৰু
মহিমাৰ সাজত তুমি বিভূষিত হোৱা। ৪ ধাৰ্মিকতাযুক্ত সত্য আৰু
নম্ৰতাৰ পক্ষে তুমি নিজৰ গৌৰৱত বিজয়ীৰ দৰে যাত্ৰা কৰা; তোমাৰ
সোঁ হাতে তোমাক ভয় জন্মোৱা কাৰ্য শিকাওঁক। ৫ তোমাৰ ধনুৰ
কাঁড়বোৰ চোকা; ৰজাৰ শত্ৰুবোৰৰ বুকুত সেই কাঁড়বোৰে বিন্ধি যায়;
জাতিবোৰ তোমাৰ ভৰিৰ তলত পৰি যায়; ৬ ঈশ্বৰে তোমাক দিয়া
সিংহাসন চিৰস্থায়ী, অনন্ত কাললৈকে থাকে; তোমাৰ ৰাজকীয় ৰাজদণ্ড
ন্যায়শাসনৰ দণ্ড। ৭ তুমি ধাৰ্মিকতাক ভাল পোৱা আৰু দুষ্টতাক ঘৃণা
কৰা; সেইবাবে ঈশ্বৰে, তোমাৰ ঈশ্বৰে, তোমাৰ সংগীসকলতকৈ
অধিক বেচি আনন্দৰ তেলেৰে তোমাক অভিষেক কৰিলে। ৮ গন্ধৰস,
অগৰু আৰু দালচিনিৰ সকলো গন্ধত তোমাৰ বস্ত্ৰ সুগন্ধ হৈছে। হাতী-
দাঁতেৰে নিৰ্মাণ কৰা অট্টালিকাৰ পৰা তাঁৰযুক্ত বাদ্যযন্ত্ৰৰ বাদ্যই
তোমাক আনন্দ দিয়ে। ৯ তোমাৰ সন্মানীত মহিলাসকলৰ মাজত
ৰাজকন্যাও আছে; তোমাৰ সোঁহাতে সোণ আৰু ওফীৰৰে বিভূষিতা
ৰাণী থিয় হৈ আছে। ১০ হে কন্যা, মন দি কাণ পাতি শুনা; তোমাৰ
লোকসকলক তুমি পাহৰি যোৱা; তোমাৰ পিতৃ গৃহৰ কথা পাহৰি যোৱা।

১১ তেতিয়াহে ৰজাই তোমাৰ সৌন্দৰ্য্যত ইচ্ছা প্ৰকাশ কৰিব; কিয়নো
তেৱেঁই তোমাৰ প্ৰভু; তেওঁৰ আগত প্ৰণাম কৰা। ১২ তূৰ নগৰৰ
লোকসকলে তোমাৰ অনুগ্ৰহ বিচাৰি উপহাৰেৰে সৈতে উপস্থিত হ'ব;
ধনীসকলেও সকলো সম্পদেৰে সৈতে তোমাৰ অনুগ্ৰহ বিচাৰিব। ১৩
ৰাজপ্ৰাসাদত ৰাজকন্যাক সজ্জিত কৰা হ'ব; তেওঁৰ বস্ত্ৰ সোণৰ সূতাৰে
বোৱা হৈছে। ১৪ নানা বৰণীয়া ফুলাম বস্ত্ৰেৰে বিভূষিত কৰি তেওঁক
ৰজাৰ আগলৈ নিয়া হ'ব; তাইৰ পাছত তাইৰ অবিবাহিতা সংগীসকলেও
অনুসৰণ কৰিব। ১৫ আনন্দ আৰু উল্লাসেৰে তেওঁলোকক লৈ অনা
হ'ব; তেওঁলোক ৰজাৰ ৰাজপ্ৰসাদত আহি সোমাব। ১৬ তোমাৰ
পূৰ্বপুৰুষসকলৰ ঠাই তোমাৰ পুত্ৰসকলে ল'ব; লোকসকলৰ মাজত
তুমি তেওঁলোকক গোটেই পৃথিবীত ৰাজকুমাৰ কৰিবা। ১৭ মই
তোমাৰ নাম পুৰুষানুক্ৰমে সোঁৱৰণ কৰিম; সেইকাৰণে লোকসকলে
চিৰকাললৈকে তোমাৰ ধন্যবাদ কৰিব।

**৪৬** ঈশ্বৰ আমাৰ আশ্ৰয় আৰু বল, সঙ্কটৰ সময়ত বিচাৰা মাত্ৰে
পাব পৰা ঈশ্বৰ। ২ এই বাবেই মই ভয় নকৰিম - যদিও পৃথিবীৰ
পৰিবৰ্ত্তন হয়, পৰ্ব্বতবোৰ কঁপি উঠি সাগৰৰ বুকুত পৰে, ৩ যদিও জল
সমূহে তৰ্জ্জন-গৰ্জ্জন কৰে আৰু ফেনে-ফুটুকাৰে ভৰি পৰে, যদিও
পৰ্ব্বতবোৰে আলোড়ন কৰি কঁপি উঠে। (চেলা) ৪ এখন নদী আছে;
তাৰ সুঁতিবোৰে ঈশ্বৰৰ নগৰক আনন্দময় কৰি তোলে, আনন্দময়
কৰি তোলে সৰ্ব্বোপৰি জনা থকা সেই পবিত্ৰ স্থান। ৫ ঈশ্বৰ সেই
নগৰৰ মাজত থাকে; সেয়ে তাই বিচলিত নহ'ব। অতি পুৱাতেই ঈশ্বৰে
তাইক সহায় কৰিব। ৬ জাতিবোৰে হৈ চৈ কৰিছে; আৰু ৰাজ্যবোৰ
উচ্ছন্ন হৈছে; তেওঁ গৰ্জন কৰি উঠিছে আৰু পৃথিৱী দ্ৰৱীভূত হ'ল। ৭
বাহিনীসকলৰ সৰ্বশক্তিমান যিহোৱা আমাৰ সঙ্গত আছে; যাকোবৰ
ঈশ্বৰ আমাৰ আশ্ৰয়স্থান। (চেলা) ৮ আহাঁ, যিহোৱাৰ কাৰ্য-কলাপ
চোৱা, তেওঁ পৃথিবীত ধ্বংস আনিছে। ৯ তেওঁ পৃথিবীৰ সকলো যুদ্ধ
বন্ধ কৰে, তেওঁ ধনু ভাঙে, বৰছা ডোখৰ ডোখৰ কৰে, ৰথবোৰ জুইত
পোৰে। ১০ যিহোৱাই কৈছে, "তোমালোক ক্ষান্ত হোৱা, মই যে ঈশ্বৰ,
ইয়াকে জানা! সকলো জাতিয়ে মোকেই গৌৰৱান্বিত কৰিব, পৃথিৱীয়ে

মোকেই গৌৰৱান্বিত কৰিব।” ১১ বাহিনীসকলৰ সৰ্বশক্তিমান যিহোৱা
আমাৰ সঙ্গত আছে; যাকোবৰ ঈশ্বৰ আমাৰ আশ্ৰয়স্থান। (চেলা)
**৪৭** হে সমুদায় জাতি, তোমালোকে হাত তালি দিয়া; আনন্দেৰে
ঈশ্বৰৰ উদ্দেশ্যে জয়ধ্বনি কৰা। ২ সৰ্ব্বোপৰি যিহোৱা বিস্ময়জনক;
সমগ্ৰ পৃথিবীৰ ওপৰত তেৱেঁই মহান ৰজা। ৩ তেওঁ লোক সমূহক
আমাৰ অধীন কৰিলে, জাতিবোৰক আমাৰ ভৰিৰ তল কৰিলে। ৪
তেৱেঁই আমাৰ আধিপত্য মনোনীত কৰিলে; সেই অধিপত্য তেওঁৰ
প্ৰেমৰ পাত্ৰ যাকোবৰ গৌৰৱৰ বিষয়। (চেলা) ৫ ঈশ্বৰে জয়-ধ্বনিৰ
মাজেৰে উৰ্দ্ধগমন কৰিলে; যিহোৱাই শিঙা-ধ্বনিৰ মাজেৰে উৰ্দ্ধগমন
কৰিলে। ৬ তোমালোকে ঈশ্বৰৰ উদ্দেশ্যে প্ৰশংসাৰ গান কৰা,
প্ৰশংসাৰ গান কৰা; তোমালোকে আমাৰ ৰজাৰ উদ্দেশ্যে প্ৰশংসাৰ
গান কৰা, প্ৰশংসাৰ গান কৰা। ৭ কিয়নো ঈশ্বৰ গোটই পৃথিবীৰ ৰজা;
তোমালোকে তেওঁৰ উদ্দেশ্যে এক বিশেষ উপলব্ধিৰে প্ৰশংসাৰ গান
কৰা। ৮ সকলো জাতিবোৰৰ ওপৰত ঈশ্বৰে ৰাজত্ব কৰে; তেওঁৰ
পবিত্ৰ সিংহাসনত তেওঁ বহি থাকে। ৯ জাতি সমূহৰ ৰাজপুত্ৰসকল
গোট খাইছে; অব্ৰাহামৰ ঈশ্বৰৰ লোকৰ দৰেই গোট খাইছে; কিয়নো
পৃথিবীৰ ঢালবোৰ ঈশ্বৰৰ; তেৱেঁই সবাতোকৈ মহান।
**৪৮** আমাৰ ঈশ্বৰৰ নগৰত, তেওঁৰ পবিত্ৰ পৰ্ব্বতত, যিহোৱা মহান
আৰু অতীৱ প্ৰশংসাৰ যোগ্য, ২ উত্তৰপ্ৰান্তত স্থিত সেই চিয়োন পৰ্ব্বত;
ওখ টিলাৰ ওপৰত মহান ৰজাৰ সেই নগৰ দেখিবলৈ সুন্দৰ; গোটেই
পৃথিবীকে আনন্দ দিয়ে। ৩ ঈশ্বৰে সেই চহৰৰ অট্টালিকাবোৰৰ
মাজত নিজক দুৰ্গ স্বৰূপে প্ৰকাশ কৰিছে। ৪ ৰজাসকলে একগোট
হ’ল আৰু একেলগে আগুৱাই গ’ল। ৫ তেওঁলোকে সেই নগৰ দেখি
আতংকিত হ’ল; তেওঁলোক বিহ্বল হৈ পলাই গ’ল। ৬ সেই ঠাইত ভয়তে
তেওঁলোকৰ কঁপনি উঠিছিল, প্ৰসৱকাৰিনী মহিলাৰ দৰে যন্ত্ৰণা হৈছিল।
৭ যেনেকৈ পূব দিশৰ বতাহে তৰ্চীচৰ জাহাজবোৰ ভাঙি পেলায়,
তেনেকৈ তেওঁলোকক ভাঙিলে। ৮ বাহিনীসকলৰ যিহোৱাৰ নগৰত,
আমাৰ ঈশ্বৰৰ নগৰত; আমি যি শুনিছিলোঁ, তাকে দেখিলোঁ; দেখিলোঁ,
ঈশ্বৰে নগৰখন চিৰকালৰ কাৰণে স্থাপন কৰিব। (চেলা) ৯ হে ঈশ্বৰ,

তোমাৰ মন্দিৰৰ ভিতৰত, আমি তোমাৰ গভীৰ প্ৰেমৰ কথা ধ্যান
কৰোঁ। ১০ হে ঈশ্বৰ, তোমাৰ প্ৰশংসাৰ দৰেই তোমাৰ নাম পৃথিৱীৰ
শেষ সীমা পৰ্যন্ত আছে। তোমাৰ সোঁ হাত ধাৰ্মিকতাৰে পৰিপূৰ্ণ। ১১
তোমাৰ ন্যায় বিচাৰৰ কাৰণে চিয়োন পৰ্ব্বতে আনন্দ কৰক, যিহূদাৰ
নগৰবোৰ উল্লাস কৰা। ১২ তোমালোকে চিয়োনৰ চাৰিওফালে ঘূৰা,
আহাঁ, তাৰ কোঁঠবোৰ গণনা কৰা। ১৩ তাৰ প্ৰাচীৰবোৰ লক্ষ্য কৰা;
তাৰ ৰাজ-অট্টালিকাবোৰ ঘূৰি চোৱা যাতে তোমালোকে সেই কথা
তোমালোকৰ ভাৱী সন্তান সকলক ক'ব পাৰা। ১৪ এই ঈশ্বৰ, আমাৰ
অনন্তকালৰ ঈশ্বৰ; তেওঁ চিৰকাললৈকে আমাৰ পথদৰ্শক হ'ব।

**৪৯** হে সমুদায় জাতি, তোমালোকে এইকথা শুনা; হে জগত-নিবাসী,
কাণ পাতা। ২ উচ্চ-নীচ, ধনী-দুখীয়া সকলোৱে শুনা। ৩ মোৰ মুখে
জ্ঞানৰ কথা কব; মোৰ অন্তৰৰ গভীৰ চিন্তা সুবুদ্ধিদায়ক। ৪ মই
শিক্ষাযুক্ত দৃষ্টান্তবোৰলৈ মনোযোগ দিম; বীণাৰে সৈতে গীত গাই তাৰ
গভীৰ বিষয়ে ব্যাখ্যা কৰিম। ৫ মোৰ তাড়নাকাৰীবোৰৰ অপৰাধে
যেতিয়া মোক বেৰি ধৰে, সেই সঙ্কটৰ কালত মই কিয় ভয় কৰি
থাকিম? ৬ সেই সকল হৈছে দুষ্ট লোক, যিসকলে ধন-সম্পত্তিত ভাৰসা
কৰে আৰু প্ৰচুৰ ধনৰ বাবে অহংকাৰ কৰে। ৭ কোনেও কাকো কোনো
প্ৰকাৰে নিজক মৃত্যুৰ পৰা মুক্ত কৰিব নোৱাৰে। নাইবা কোনেও
মুক্তিৰ কাৰণে ঈশ্বৰক অধিক একো দিব নোৱাৰে, যাতে মানুহ
চিৰকাল জীয়াই থাকিব পাৰে। ৮ কাৰণ মানুহৰ জীৱনৰ প্ৰায়শ্চিত্তৰ
মূল্য অধিক; মানুহে কেতিয়াও তাৰ পৰ্যাপ্ত মূল্য দিব নোৱাৰে, ৯ যাতে
তেওঁ সদায় জীয়াই থাকিব পাৰিব আৰু কেতিয়াও মৈদামৰ গাতলৈ
নাযাব। ১০ আমি দেখা পাওঁ যে জ্ঞানী লোকৰো মৃত্যু হয়; নিৰ্বোধ আৰু
বিবেকহীন লোকৰ দৰেই তেওঁলোক বিনষ্ট হয়। তেওঁলোকে নিজৰ
ধন-সম্পদ আনৰ কাৰণে এৰি থৈ যায়। ১১ তেওঁলোকৰ মৈদাম,
তেওঁলোকৰ ঘৰ-বাৰী চিৰস্থায়ী, তেওঁলোকৰ আবাসবোৰ পুৰুষানুক্ৰমে
থাকিব, সেয়ে নিজৰ নামেৰেই তেওঁলোকে মাটিৰ নাম দিয়ে। ১২
কিন্তু মানুহ ঐশ্বৰ্যশালী হ'লেও, চিৰস্থায়ী নহয়; তেওঁলোক পশুবোৰৰ
দৰেই বিনষ্ট হৈ যাব। ১৩ যিসকলে নিজৰ প্ৰাচুৰ্যতাত ভাৰসা কৰে,

আৰু তেওঁলোকৰ পাছত যিসকল লোকে তেওঁলোকৰ কথাত হয়ভৰ
দি চলে, সেই হঠকাৰীসকলৰ দশাও তেনেকুৱা হ'ব। (চেলা) ১৪
তেওঁলোক চিয়োলৰ কাৰণে নিযুক্ত হোৱা মেৰ-ছাগৰ জাক স্বৰূপ;
মৃত্যুয়েই তেওঁলোকৰ ৰখীয়া হ'ব; তেওঁলোক চিয়োললৈ নামি যাব।
তেওঁলোকৰ ৰূপ চিয়োলত নষ্ট হ'ব; তেওঁলোকৰ বাসস্থান বুলি একো
নাথাকিব। **(Sheol h7585)** ১৫ কিন্তু চিয়োলৰ হাতৰ পৰা ঈশ্বৰে মুক্তিৰ
মূল্য দি মোৰ প্ৰাণ মুক্ত কৰিব; মোক তেওঁৰ নিজৰ ওচৰত গ্ৰহণ
কৰি ল'ব। (চেলা) **(Sheol h7585)** ১৬ যেতিয়া কোনো মানুহ ধনী
হয়, ভয় নাখাবা; তেওঁৰ পৰিয়ালৰ গৌৰৱ যেতিয়া বৃদ্ধি পায়, তুমি
ভয় নকৰিবা। ১৭ কিয়নো তেওঁলোকে মৰণৰ কালত একোকে লৈ
নাযাব; তেওঁলোকৰ ধন-সম্পদ তেওঁলোকৰ লগত নামি নাযাব। ১৮
যদিও জীৱন কালত তেওঁলোকে নিজক সুখী বুলি ভাৱে, কিয়নো
তোমালোকৰ নিজৰ ভাল অৱস্থা হ'লে, মানুহে তোমালোকক সুখী বুলি
প্ৰশংসা কৰে; ১৯ তথাপিও নিজৰ পূৰ্বপুৰুষসকলৰ ওচৰলৈ তেওঁলোক
যাবই লাগিব, যিসকলে পুনৰ কেতিয়াও পোহৰ দেখিবলৈ নাপাব। ২০
কিন্তু মানুহ ঐশ্বৰ্যশালী হ'লেও চিৰস্থায়ী নহয়; তেওঁলোক পশুবোৰৰ
দৰেই বিনষ্ট হৈ যাব।

**৫০** পৰাক্ৰমী ঈশ্বৰ যিহোৱাই কথা কলে, সূৰ্যৰ উদয় স্থানৰ পৰা
অস্ত যোৱা স্থানলৈকে পৃথিবীৰ সকলোকে তেওঁ মাতিলে। ২ চিয়োনৰ
পৰা, পৰিপূৰ্ণ সৌন্দৰ্যৰ ঠাইৰ পৰা, ঈশ্বৰে দীপ্তি প্ৰকাশ কৰিলে।
৩ আমাৰ ঈশ্বৰ আহিছে, তেওঁ নীৰৱ হৈ নাথাকিব; তেওঁৰ আগে
আগে গ্ৰাসকাৰী অগ্নি আহিব, তেওঁৰ চাৰিওফালে অতিশয় ধুমুহা
বব। ৪ তেওঁ নিজৰ লোকসকলৰ ন্যায় বিচাৰ কৰিবৰ কাৰণে, তেওঁ
ওপৰৰ আকাশ-মণ্ডলক আৰু পৃথিবীক মাতিছে। ৫ "মোৰ সেই বিশ্বাসী
ভক্তসকলক মোৰ ওচৰত একগোট কৰা, যিসকলে উৎসৰ্গৰ দ্বাৰাই
মোৰ লগত এক নিয়ম স্থাপন কৰিলে।" ৬ আকাশ-মণ্ডলে তেওঁৰ
ধাৰ্মিকতা ঘোষণা কৰিছে; কিয়নো ঈশ্বৰ নিজেই বিচাৰকৰ্তা। (চেলা)
৭ হে মোৰ লোকসকল, শুনা, মই কথা ক'ম; হে ইস্ৰায়েল, মই তোমাৰ
বিপক্ষে সাক্ষ্য দিম; মই ঈশ্বৰ, তোমাৰেই ঈশ্বৰ। ৮ তোমাৰ উৎসৰ্গৰ

বাবে মই তোমাক দোষী কৰা নাই; তোমাৰ হোমবলিবোৰ সদায়
মোৰ সন্মুখত আছে। ৯ তোমাৰ ঘৰৰ পৰা ভতৰা মই নলওঁ; তোমাৰ
গঁৰালৰ ছাগলীও মই গ্ৰহণ নকৰোঁ। ১০ কিয়নো সকলো বনৰীয়া জন্তু
মোৰেই, অসংখ্য পাহাৰবোৰৰ ওপৰত ঘূৰি ফুৰা পশুবোৰ মোৰেই।
১১ এনেকি, পাহাৰৰ সকলো পক্ষীক মই জানো; পথাৰত চৰি ফুৰা
সকলো প্ৰাণীও মোৰেই। ১২ “মোৰ ভোক লাগিলেও মই তোমাক
নক’ম; কিয়নো জগত আৰু তাত থকা সকলো মোৰেই। ১৩ ভতৰাৰ
মাংস মই ভোজন কৰিম নে? মই ছাগলীবোৰৰ তেজ পান কৰিম
নে? ১৪ ঈশ্বৰৰ উদ্দেশে ধন্যবাদৰ বলি উৎসৰ্গ কৰা; সৰ্ব্বোপৰি
জনাৰ উদ্দেশ্যে তোমাৰ সঙ্কল্পবোৰ পূৰণ কৰা। ১৫ সঙ্কটৰ কালত
মোৰ আগত প্ৰাৰ্থনা কৰা; মই তোমাক উদ্ধাৰ কৰিম আৰু তুমি মোক
গৌৰৱান্বিত কৰিবা।” ১৬ কিন্তু ঈশ্বৰে দুষ্ট লোকক এই কথা কৈছে,
“মোৰ শাসন-বিধিৰ কথাবোৰ কবলৈ অথবা মোৰ ব্যৱস্থাৰ কথা মুখত
আনিবলৈ তোমাৰ কি অধিকাৰ আছে? ১৭ কাৰণ তুমিতো মোৰ
শাসন ঘৃণা কৰা; মোৰ কথাবোৰ পাছফালে পেলাই থোৱা। ১৮ চোৰক
দেখিলে তুমি তাৰ লগত বন্ধুত্ব কৰা; তুমি ব্যভিচাৰীবোৰৰ সহযোগী
হৈ থাকা। ১৯ দুষ্ট কথাৰ কাৰণে তোমাৰ মুখ খোলা ৰাখা, তোমাৰ
জিভাই ছলনাৰ বশত থাকি কথা কয়। ২০ তুমি বহি বহি নিজৰ
আত্মীয়ৰ বিৰুদ্ধে কথা কৈ থাক; একে মাতৃৰ নিজৰ ভাইৰ বিৰুদ্ধে
নিন্দা কৰা। ২১ এই সকলোবোৰ তুমি কৰিছা, কিন্তু মই মনে মনে
আছিলোঁ; তুমি ভাৱিছা, মই তোমাৰেই নিচিনা এজন। কিন্তু এতিয়া
মই তোমাক ধমকি দিম আৰু তোমাৰ সন্মুখত তোমাৰ সকলো দোষ
লৈ আনিম। ২২ তোমালোক যিসকলে ঈশ্বৰক পাহৰি গৈছা, তাক
এবাৰ ভাৱি চোৱা; নহ’লে মই তোমালোকক ছিৰি ডোখৰ ডোখৰ
কৰি পেলাম; তোমালোকক উদ্ধাৰ কৰিবলৈ কোনো নাথাকিব। ২৩ যি
মানুহে জীৱনত ধন্যবাদৰ বলি উৎসৰ্গ কৰে, তেৱেঁই মোক গৌৰৱান্বিত
কৰে; যি মানুহে সঠিক পথত চলে, মই তেওঁক ঈশ্বৰৰ পৰিত্ৰাণ
দেখিবলৈ দিম।

৫১ হে ঈশ্বৰ, তোমাৰ অসীম প্ৰেম অনুসাৰে মোক কৃপা কৰা,
তোমাৰ প্ৰচুৰ দয়া অনুসাৰে মোৰ পাপ মোচন কৰা। ২ মোৰ সকলো
অধৰ্ম তুমি ধুই পেলোৱা; মোৰ পাপৰ পৰা মোক শুচি কৰা। ৩ মোৰ
পাপবোৰ মই নিজে জানিছোঁ; মোৰ পাপ সদায় মোৰ আগত আছে। ৪
তোমাৰ বিৰুদ্ধে, কেৱল তোমাৰেই বিৰুদ্ধে মই পাপ কৰিলোঁ; তোমাৰ
দৃষ্টিত যি বেয়া মই তাকে কৰিলোঁ; তুমি তোমাৰ বাক্যত ধাৰ্মিক,
তোমাৰ বিচাৰ নিখুঁত। ৫ চোৱা, অধৰ্মতে মোৰ জন্ম হল; মোৰ মাতৃয়ে
মোক পাপতে গৰ্ভধাৰণ কৰিলে। ৬ তুমি হৃদয়ৰ মাজত সত্যতাক
চাব বিচাৰা; সেয়ে, তুমিয়েই মোৰ গোপন হৃদয়ত শিক্ষা দিবা। ৭
এচোব বনেৰে তুমি মোক পবিত্ৰ কৰা আৰু মই শুচি হ'ম; মোক ধোৱা,
তাতে মই হিমতকৈয়ো বগা হ'ম। ৮ মোক আনন্দ আৰু উল্লাসৰ ধ্বনি
শুনিবলৈ দিয়া; তুমি গুড়ি কৰা মোৰ অস্থিবোৰক উল্লাসিত হবলৈ
দিয়া। ৯ মোৰ পাপ সমূহৰ পৰা তুমি তোমাৰ মুখ ঢাকা; মোৰ সকলো
অপৰাধ মোচন কৰা। ১০ হে ঈশ্বৰ, তুমি মোৰ ভিতৰত শুদ্ধ অন্তৰ
সৃষ্টি কৰা; মোৰ অন্তৰত এক নতুন আৰু সুস্থিৰ আত্মা স্থাপন কৰা। ১১
তোমাৰ সন্মুখৰ পৰা মোক দূৰ নকৰিবা; তোমাৰ পবিত্ৰ আত্মা মোৰ
পৰা নিনিবা। ১২ তোমাৰ পৰিত্ৰাণৰ আনন্দ মোক পুনৰায় দান কৰা;
তোমাৰ উদাৰ আত্মা দি মোক ধৰি ৰাখা। ১৩ তেতিয়া মই পাপীবোৰক
তোমাৰ পথৰ বিষয়ে শিক্ষা দিম, তাতে পাপী লোক তোমাৰ ফালে
ঘূৰিব। ১৪ হে ঈশ্বৰ, হে মোৰ পৰিত্ৰাণৰ ঈশ্বৰ, ৰক্তপাতৰ দোষৰ
পৰা তুমি মোক উদ্ধাৰ কৰা; তাতে মোৰ জিভাই তোমাৰ উদ্ধাৰৰ
গীত উচ্চস্বৰে গাব। ১৫ হে প্ৰভু, মোৰ ওঁঠ মুকলি কৰা; মোৰ মুখে
তোমাৰ প্ৰশংসা প্ৰচাৰ কৰিব। ১৬ কিয়নো তুমি বলিদানত সন্তুষ্ট
নোহোৱা; হোৱা হ'লে মই তাক দিলোহেঁতেন; হোমবলিতো তুমি সন্তুষ্ট
নোহোৱা। ১৭ ভগ্ন মন ঈশ্বৰৰ গ্ৰহণীয় বলি, ইয়াক দিয়া; হে ঈশ্বৰ,
ভগ্ন আৰু অনুতাপী মনক তুমি অগ্ৰাহ্য নকৰিবা। ১৮ তোমাৰ মংগলময়
ইচ্ছাৰে তুমি চিয়োনৰ মঙ্গল কৰা; যিৰূচালেমৰ প্ৰাচীৰ তুমি পুনৰ
নিৰ্ম্মাণ কৰা। ১৯ তেতিয়া ধাৰ্মিকতাৰ বলি উৎসৰ্গ, হোমবলি উৎসৰ্গ

আৰু পূৰ্ণাহুতি হোমবলি উৎসৰ্গত তুমি আনন্দিত হ'বা। তাৰ পাছত
তোমাৰ যজ্ঞবেদীৰ ওপৰত লোকসকলে দামুৰি উৎসৰ্গ কৰিব।

৫২ হে বীৰ, তুমি দুষ্কৰ্মত কিয় গৰ্ব্ব কৰিছা? ঈশ্বৰৰ দয়া
চিৰকাললৈকে থাকে। ২ তুমি ধ্বংসৰ পৰিকল্পনা কৰিছা; হে
ছলনাকাৰী, তোমাৰ জিভা চোকা খুৰৰ নিচিনা; ৩ তুমি ভাল কামতকৈ
বেয়া কামহে ভাল পোৱা, সত্য কথাতকৈ মিছা কথা কবলৈহে ভাল
পোৱা। (চেলা) ৪ হে ছলনাকাৰী জিভা, যি কথাই ধ্বংস আনে, তুমি
তাকে ভাল পোৱা। ৫ কিন্তু ঈশ্বৰে তোমাক চিৰকালৰ বাবে বিনষ্ট
কৰিব; তেওঁ তোমাক ধৰি তোমাৰ তম্বুৰ পৰা টানি আনি ছিৰাছিৰ
কৰিব; জীৱিতসকলৰ দেশৰ পৰা তোমাক উঘালি পেলাব। (চেলা) ৬
ধাৰ্মিকসকলে তাকে দেখি ভয় কৰিব; তেওঁলোকে তোমাক এই কথা
কৈ হাঁহিব, ৭ "চোৱা, সৌ জনে ঈশ্বৰৰ আশ্ৰয়ত নিৰ্ভৰ নকৰিলে, কিন্তু
প্ৰচুৰ ধনত ভাৰসা কৰিলে, দুষ্টতাৰ কাৰ্যৰ দ্বাৰাই লাভ কৰা সম্পত্তিত
আশ্ৰয় ল'লে।" ৮ কিন্তু মই হ'লে, ঈশ্বৰৰ গৃহত কেঁচাপতীয়া জিত গছৰ
নিচিনা; মই সকলো সময়তে ঈশ্বৰৰ প্ৰেমৰ ওপৰত ভাৰসা কৰোঁ। ৯
হে ঈশ্বৰ, তুমি যি সকলো কাৰ্য কৰিছা, তাৰ বাবে মই চিৰকাললৈকে
তোমাৰ ধন্যবাদ কৰিম; তোমাৰ ভক্তসকলৰ সন্মুখত মই তোমাৰ নাম
অপেক্ষা কৰিম; কাৰণ এইয়ে ভাল।

৫৩ নিৰ্বোধে নিজৰ মনতে ক'লে, "ঈশ্বৰ বুলি কোনো নাই।"
তেওঁলোকৰ স্বভাৱ দুৰ্নীতিগ্ৰস্ত; তেওঁলোকে জঘন্য কাৰ্য কৰে;
তেওঁলোকৰ মাজত এজনো সৎকৰ্ম কৰা লোক নাই। ২ ঈশ্বৰে
স্বৰ্গৰপৰা মানৱজাতিলৈ দৃষ্টি কৰে, তেওঁ চাব বিচাৰে, জ্ঞানী লোক
আছে নে নাই; ঈশ্বৰক বিচাৰোতা কোনো আছে নে নাই। ৩ তেওঁলোক
সকলোৱেই আঁতৰি গ'ল, সকলোৱেই একেলগে অপবিত্ৰ হ'ল; সৎকৰ্ম
কৰোঁতা কোনো নাই, এজনো নাই। ৪ "যিসকলে অপৰাধ কাৰ্যত
লিপ্ত হয়, তেওঁলোক কি একোৱেই নুবুজে নেকি? তেওঁলোকে মোৰ
লোকসকলক লুটপাত কৰে। তেওঁলোকে ঈশ্বৰৰ আগত প্ৰাৰ্থনা নকৰে।
৫ আগতে যি ঠাইত তেওঁলোকৰ কোনো ভয় কৰাৰ কাৰণ নাছিল, তাত
এতিয়া তেওঁলোকৰ অতিশয় ভয় হ'ল; ঈশ্বৰে তেওঁলোকৰ বিৰুদ্ধে

অহা সকলক সিচঁৰিত কৰিলে। সেয়ে তেওঁলোকক লাজত পেলোৱা
হ’ব, কিয়নো ঈশ্বৰে তেওঁলোকক অগ্রাহ্য কৰিলে। ৬ ইস্রায়েলৰ
পৰিত্ৰাণ চিয়োনৰ মাজৰ পৰাই আহঁক! যিহোৱাই যেতিয়া নিজৰ
প্ৰজাসকলৰ ভৰিষ্যত পুনৰ স্থাপন কৰিব, তেতিয়া যাকোবৰ বংশই
উল্লাস কৰিব আৰু ইস্ৰায়েল আনন্দিত হ’ব।

**৫৪** হে ঈশ্বৰ, তোমাৰ নামৰ দ্বাৰাই মোক উদ্ধাৰ কৰা; তোমাৰ
পৰাক্ৰমেৰে মোৰ দোষ মোচন কৰা। ২ হে ঈশ্বৰ, মোৰ প্ৰাৰ্থনা শুনা,
মোৰ মুখৰ কথালৈ কাণ দিয়া। ৩ কিয়নো অন্য জাতিৰ লোকসকল
মোৰ বিৰুদ্ধে উঠিছে, হৃদয়হীন লোকে মোৰ প্ৰাণ লবলৈ বিচাৰিছে;
তেওঁলোকে নিজৰ সন্মুখত ঈশ্বৰক ঠাই নিদিয়ে। (চেলা) ৪ কিন্তু
ঈশ্বৰ মোৰ সহায়কৰ্তা; ঈশ্বৰেই মোৰ জীৱন ধৰি ৰাখে। ৫ তেওঁ
মোৰ শত্ৰুবোৰৰ অপৰাধৰ প্ৰতিশোধ ল’ব; তোমাৰ বিশ্বস্ততাত তুমি
তেওঁলোকক বিনষ্ট কৰা। ৬ মই নিজ ইচ্ছাৰে তোমাৰ উদ্দেশ্যে বলি
উৎসৰ্গ কৰিম; হে যিহোৱা, মই তোমাৰ নামৰ ধন্যবাদ কৰিম; কিয়নো
সেয়ে উত্তম। ৭ কাৰণ তেওঁ মোক মোৰ সকলো সঙ্কটৰ পৰা উদ্ধাৰ
কৰিলে; মোৰ চকুৱে শত্ৰুবোৰৰ ওপৰত মোক জয়ী হোৱা দেখিলে।

**৫৫** হে ঈশ্বৰ, মোৰ প্ৰাৰ্থনা শুনা, মোৰ নিবেদনৰ সময়ত নিজকে
লুকুৱাই নাৰাখিবা। ২ মোলৈ মনোযোগ কৰা, মোক উত্তৰ দিয়া;
৩ শত্ৰুৰ কথাৰ কাৰণে, দুষ্টৰ অত্যাচাৰৰ বাবে, তেওঁলোকে মোলৈ
আকস্মিক দুৰ্দশা মাতি আনিছে, তেওঁলোকে ক্ৰোধেৰে মোক নিৰ্যাতন
চলাইছে। ৪ মোৰ হৃদয়ত অত্যন্ত যন্ত্ৰণা পাইছে, মৃত্যুৰ আশঙ্কাই মোক
বেৰি ধৰিছে। ৫ ভয় আৰু কঁপনিয়ে মোক আক্ৰমণ কৰিছে; আতঙ্কিত
হৈ ভয়াভিভূত হৈছোঁ। ৬ মই কলোঁ, কপৌৰ দৰে মোৰ ডেউকা থকা
হলে! তেতিয়া মই উড়ি গৈ বিশ্ৰাম ললোহেঁতেন, ৭ চোৱা, সেয়ে হোৱা
হলে, মই দূৰলৈ উৰি গলোহেঁতেন; গৈ অৰণ্যত বাস কৰিলোহেঁতেন।
(চেলা) ৮ প্ৰচণ্ড বতাহ আৰু ধুমুহাৰ পৰা, শীঘ্ৰে মই আশ্ৰয় স্থানলৈ
গলোহেঁতেন। ৯ হে’ প্ৰভু, তেওঁলোকক ধ্বংস কৰা, তেওঁলোকৰ ভাষা
বিশৃঙ্খল কৰা; মই হিংস্ৰতা, শত্ৰুতা নগৰৰ ভিতৰত দেখিছোঁ। ১০
তেওঁলোকে দিনে-ৰাতিয়ে গড়ৰ ওপৰেদি নগৰ ভ্ৰমি ফুৰে; অপৰাধ

আৰু দুষ্টতা তাৰ ভিতৰত আছে। ১১ ইয়াৰ ভিতৰত মন্দতা আছে;
পথবোৰৰ পৰা উপদ্রৱ আৰু প্রতাৰণা নুগুচে। ১২ কোনো শত্রুৱে যে
মোক নিন্দা কৰিছে, এনে নহয়; কৰা হলে, মই তাক সহিলোহেঁতেন;
মোক ঘিণাওঁতাই যে মোৰ বিৰুদ্ধে গৰ্ব্ব কৰিছে, এনে নহয়; কৰা হলে,
মই তাৰ পৰা নিজকে লুকুৱালোহেঁতেন। ১৩ কিন্তু যি তুমি, এজন
আমাৰ দৰেই মানুহ; মোৰ সঙ্গী মোৰ প্ৰণয়ৰ বন্ধু, তুমিয়েই তাক
কৰিছা। ১৪ আমি একে-লগে মধুৰ সহযোগিতা কৰিছিলোঁ; লোক
সকলৰ সৈতে আমি ঈশ্বৰৰ গৃহলৈ গৈছিলোঁ। ১৫ মৃত্যুৱে তেওঁলোকক
অকস্মাৎ আক্ৰমণ কৰক, জীয়াই জীয়াই চিয়োললৈ নামি যাওঁক;
কিয়নো তেওঁলোকৰ বাসস্থান আৰু মনত দুষ্টতা আছে। **(Sheol h7585)**
১৬ মই হলে ঈশ্বৰৰ আগত প্ৰাৰ্থনা কৰিম; তাতে যিহোৱাই মোক উদ্ধাৰ
কৰিব। ১৭ গধূলি, ৰাতিপুৱা আৰু দুপৰীয়া সময়তো মই অভিযোগ
কৰি ক্ৰন্দন কৰিম; তাতে তেওঁ মোৰ মাত শুনিব। ১৮ কিয়নো মোৰ
বিৰুদ্ধে যুদ্ধ কৰিবলৈ অনেক আছিল; মোৰ বিৰুদ্ধে হোৱা যুদ্ধৰ পৰা
তেওঁ মোৰ প্ৰাণ নিৰাপদে ৰাখিলে। ১৯ ঈশ্বৰ, যি জন অৱশেষ অনাদি
কালৰে পৰা আছে; তেওঁ শুনিব আৰু তেওঁলোকক উত্তৰ দিব। (চেলা)
যি মানুহৰ পৰিবৰ্ত্তন নাই; তেওঁলোকে ঈশ্বৰক ভয় নকৰে। ২০ মোৰ
বন্ধুৱে নিজৰে সৈতে শান্তিৰে থকাসকলৰ বিৰুদ্ধে হাত উঠালে; তেওঁ
নিজে কৰা নিয়মটি উলঙ্ঘন কৰিলে। ২১ তেওঁৰ মুখ মাখনৰ নিচিনা
কোমল, কিন্তু তেওঁৰ অন্তৰ বিদ্রোহী; তেওঁৰ কথাবোৰ তেলৰ দৰে
তেলেতীয়া, সেইবোৰ খাপৰ পৰা ওলোৱা তৰোৱালৰ নিচিনা। ২২
যিহোৱাত তোমাৰ সকলো চিন্তাৰ ভাৰ সমৰ্পণ কৰা, তেওঁ তোমাক
প্ৰতিপালন কৰিব; তেওঁ ধাৰ্মিক লোকক কেতিয়াও পৰিবলৈ নিদিয়ে।
২৩ কিন্তু, হে ঈশ্বৰ, তুমিয়েই তেওঁলোকক বিনাশৰ গাতলৈ নমাই
আনিবা; ৰক্তপাত কৰা আৰু ছলনাকাৰী মানুহবোৰে আধা বয়সো
নাপাব; কিন্তু মই হ'লে, তোমাৰ ওপৰত ভাৰসা কৰিম।

**৫৬** হে ঈশ্বৰ, মোক কৃপা কৰা; কিয়নো মানুহে মোক গ্ৰাস কৰিবলৈ
বিচাৰিছে; সি ওৰে দিনটো যুদ্ধ কৰি মোক উপদ্ৰৱ কৰিছে। ২ মোৰ
শত্রুবোৰে ওৰে দিনটো মোক গ্ৰাস কৰিবলৈ বিচাৰিছে; কিয়নো মোৰ

বিৰুদ্ধে অহংকাৰ কৰি যুদ্ধ কৰা লোক অনেক। ৩ যেতিয়াই মোৰ ভয়
লাগে; তেতিয়াই মই তোমাত ভাৰসা কৰিম। ৪ মই ঈশ্বৰত নিৰ্ভৰ
কৰি তেওঁৰ বাক্যৰ প্ৰশংসা কৰিম; মই ঈশ্বৰত ভাৰসা কৰিলোঁ, ভয়
নকৰোঁ; মাংসই মোক কি কৰিব পাৰে? ৫ সিহঁতে ওৰে দিনটো মোৰ
বাক্য অৰ্থান্তৰ কৰে; সিহঁতৰ সকলো সঙ্কল্প মোৰ বিৰুদ্ধে অনিষ্টজনক।
৬ সিহঁতে গোট খাই লুকাই থাকে; সিহঁতে মোৰ প্ৰাণলৈ অপেক্ষা কৰি
থকাৰ দৰে, মোৰ ভৰিৰ খোজলৈ লক্ষ্য কৰে। ৭ অধৰ্মৰ দ্বাৰাই সিহঁতে
ৰক্ষা পাব নে? হে ঈশ্বৰ, ক্ৰোধেৰে জাতিবোৰক নিপাত কৰা। ৮ তুমি
মোৰ ভ্ৰমণৰ লেখ লৈছা; তুমি মোৰ চকু-লো তোমাৰ কূপাত বন্ধ কৰি
ৰাখা; সেইবোৰ তোমাৰ বহিত নাই নে? ৯ সেই দিনা, মই প্ৰাৰ্থনা কৰা
কালত মোৰ শত্ৰুবোৰ বিমুখ হ'ব; ঈশ্বৰ যে মোৰ ফলীয়া, তাক মই
জানিছোঁ। ১০ মই ঈশ্বৰত নিৰ্ভৰ কৰি তেওঁৰ বাক্যৰ প্ৰশংসা কৰিম;
মই যিহোৱাত নিৰ্ভৰ কৰি তেওঁৰ বাক্যৰ প্ৰশংসা কৰিম। ১১ মই
ঈশ্বৰত ভাৰসা কৰিলোঁ, ভয় নকৰোঁ; মানুহে মোক কি কৰিব পাৰে?
১২ হে ঈশ্বৰ, তোমাৰ উদ্দেশে সিদ্ধ কৰিবলগীয়া সঙ্কল্পবোৰ মোৰ
গাত আছে; তোমাৰ উদ্দেশে মই ধন্যবাদাৰ্থক বলি উৎসৰ্গ কৰিম। ১৩
কিয়নো তুমি মোৰ প্ৰাণ মৃত্যুৰ পৰা উদ্ধাৰ কৰিলা; জীৱিতবিলাকৰ
দীপ্তিত ঈশ্বৰৰ সাক্ষাতে অহা-যোৱা কৰিবলৈ, তুমি জানো পতনৰ পৰা
মোৰ ভৰি ৰক্ষা নকৰিলা?

**৫৭** হে ঈশ্বৰ, মোক কৃপা কৰা, মোক কৃপা কৰা; কিয়নো মোৰ প্ৰাণে
তোমাতেই আশ্ৰয় লৈছে; এনে কি, এই আপদবোৰ শেষ নহয়মানে,
মই তোমাৰ ডেউকাৰ ছাঁত আশ্ৰয় লম। ২ মই সৰ্ব্বোপৰি ঈশ্বৰৰ
আগত প্ৰাৰ্থনা কৰিম, মোৰ কাৰ্যসাধক ঈশ্বৰক নিবেদন কৰিম। ৩
মোক গ্ৰাস কৰিব খোজা জনে নিন্দা কৰা সময়ত, তেওঁ স্বৰ্গৰ পৰা
পঠাই মোক পৰিত্ৰাণ কৰিব; (চেলা) ঈশ্বৰে নিজ দয়া আৰু সত্যতা
পঠাই দিব। ৪ মোৰ জীৱন শত্ৰুবোৰৰ মাজত আছে, সেই লোকসকলৰ
দাঁত বৰছা আৰু কাঁড় স্বৰূপ, আৰু যিবোৰৰ জিভা চোকা তৰোৱাল
স্বৰূপ, এনে অগ্নি-শিখা স্বৰূপ মনুষ্য সন্তানবোৰৰ মাজত মই শুইছোঁ।
৫ হে ঈশ্বৰ, স্বৰ্গৰ ওপৰলৈকে তুমি উন্নত হোৱা; গোটেই পৃথিৱীৰ

ওপৰত তোমাৰ গৌৰৱ হওক। ৬ সিহঁতে মোৰ ভৰিলৈ জাল পাতিলে;
মোৰ প্ৰাণ নত হৈছে। সিহঁতে মোৰ সন্মুখত গাত খানিলে; সিহঁত
নিজেই তাৰ ভিতৰত পৰিল। (চেলা) ৭ হে ঈশ্বৰ, মোৰ মন সুস্থিৰ
হ'ল, মোৰ মন সুস্থিৰ হ'ল, মই গীত গাম, এনে কি, প্ৰশংসাৰ গান
কৰিম। ৮ হে মোৰ হৃদয়, সাৰ পোৱা; হে নেবল আৰু বীণা, সাৰ
পোৱা; মই প্ৰভাতক জগাম। ৯ হে প্ৰভু, জাতিবিলাকৰ মাজত মই
তোমাৰ ধন্যবাদ কৰিম; লোক সকলৰ মাজত মই তোমাৰ প্ৰশংসাৰ
গান কৰিম। ১০ কিয়নো তোমাৰ দয়াৰ মহত্ব স্বৰ্গলৈকে, আৰু তোমাৰ
সত্যতা আকাশলৈকে। ১১ হে ঈশ্বৰ, স্বৰ্গৰ ওপৰলৈকে তুমি উন্নত
হোৱা; গোটেই পৃথিবীৰ ওপৰত তোমাৰ গৌৰৱ হওক।

**৫৮** তোমালোকে বাস্তৱিকতে ধৰ্মৰ কথা কবলগীয়া সময়ত নীৰৱ হৈ
থকা নাই নে? হে শাসকসকল, তোমালোকে জানো ন্যায় ভাৱে ন্যায়
বিচাৰ কৰা? ২ বৰং তোমালোকৰ মনত অন্যায় আৰু দুষ্টতাৰ কাৰ্য
আছে; তোমালোকে পৃথিবীত নিজ হাতৰ উপদ্ৰৱেৰে অপৰাধ কৰিছা।
৩ দুষ্টবোৰ গৰ্ভত থকাৰে পৰা বিপথগামী; তেওঁলোকে জন্ম হোৱা মাত্ৰে
মিছা কথা কৈ বিপথগামী হয়। ৪ সাপৰ বিষৰ নিচিনা তেওঁলোকৰ
বিষ; তেওঁলোক কলা কালসৰ্পৰ নিচিনাকৈ নিজ কাণ বন্ধ কৰি ৰাখিছে,
৫ সেই সাপে যাদুকৰৰ মন্ত্ৰৰ স্বৰ নুশুনে, কোনো অসুবিধা নহয়
যিমানেই দক্ষতাপূৰ্ণ হলেও তেওঁলোক সেই সৰ্পৰ নিচিনা। ৬ হে ঈশ্বৰ,
তেওঁলোকৰ মুখৰ ভিতৰতেই দাঁত ভাঙিপেলোৱা; হে যিহোৱা, ডেকা
সিংহবোৰৰ প্ৰধান দাঁত ভাঙি বাহিৰ কৰা। ৭ বেগাই বৈ যোৱা পানীৰ
দৰে তেওঁলোক অদৃশ্য হওঁক; যেতিয়া তেওঁলোকে ধনুৰ কাঁড় পোনাই,
তেতিয়া সেই কাঁড়বোৰ আগ ছিগা যেন হওক। ৮ শামুকৰ গতিৰ
নিচিনাকৈ তেওঁলোক অদৃশ্য হওক, সুৰ্য্য দেখিবলৈ নোপোৱা, মহিলাৰ
অসময়ত ওপজা সন্তানৰ নিচিনা হওক। ৯ তোমালোকৰ পাত্ৰবোৰত
কাঁইট খৰিৰ জুইৰ তাপ নাপাওঁতেই, তেওঁ সেইবোৰক ঘূৰ্ণি বতাহেৰে
উড়াই নিব। ১০ ঈশ্বৰে যেতিয়া তেওঁলোকৰ ওপৰত প্ৰতিশোধ লোৱা
ধাৰ্মিক লোকে দেখিব, তেতিয়া তাকে দেখি তেওঁলোকে আনন্দ কৰিব।
তেওঁ নিজৰ ভৰি দুষ্টৰ তেজেৰে ধুব। ১১ তাকে দেখি লোকসকলে

ক'ব, “সচাঁকৈয়ে ধাৰ্মিক জনে পুৰস্কাৰ পাব; বাস্তৱিক পৃথিৱীত বিচাৰ
কৰিবলৈ ঈশ্বৰ আছে।”

**৫৯** হে মোৰ ঈশ্বৰ, শত্ৰুবোৰৰ পৰা মোক উদ্ধাৰ কৰা; মোৰ বিৰুদ্ধে
উঠা সকলৰ পৰা মোক ওখ ঠাইত তুলি থোৱা। ২ অধৰ্মচাৰীবোৰৰ পৰা
মোক ৰক্ষা কৰা; ৰক্তপাতী মানুহৰ পৰা মোক ৰক্ষা কৰা। ৩ কিয়নো
চোৱা, তেওঁলোকে মোৰ প্ৰাণলৈ খাপ দি আছে; হে যিহোৱা, মোৰ
কোনো দোষ বা পাপ নাই তথাপিও বলৱন্তবোৰে মোৰ বিৰুদ্ধে গোট
খাইছে। ৪ তেওঁলোকে মোক বিনা-দোষে আক্ৰমণ কৰিবলৈ, দৌৰি
দৌৰি আহি যুগুত হৈছে; তুমি মোৰ উপকাৰলৈ জাগি উঠা, মোলৈ
দৃষ্টি কৰা। ৫ হে ঈশ্বৰ যিহোৱা, তুমি সৰ্বশক্তিমান ইস্ৰায়েলৰ ঈশ্বৰ,
তুমিয়েই সকলো জাতিক শাস্তি দিবলৈ উঠা; কোনো দুৰ্নীতিপৰায়ণ
পাপীক দয়া নকৰিবা। (চেলা) ৬ তেওঁলোকে গধূলি পৰত উভটি
আহি কুকুৰৰ দৰে গৰ্জন কৰে; নগৰৰ চাৰিওফালে ভ্ৰমণ কৰে। ৭
চোৱা, তেওঁলোকে মুখেৰে আবেগ প্ৰকাশ কৰে, তেওঁলোকৰ ওঁঠত
তৰোৱাল আছে; কিয়নো তেওঁলোকে ক'য়, “কোনে আমাৰ কথা শুনি
পাব?” ৮ কিন্তু, হে যিহোৱা, তুমি তেওঁলোকক হাঁহা; তুমি সকলো
জাতিকে উপহাস কৰিবা। ৯ ঈশ্বৰ যিহোৱা মোৰ ব'ল, মই তোমালৈ
অপেক্ষা কৰিম; কিয়নো হে ঈশ্বৰ তুমি মোৰ উচ্চ দুৰ্গ। ১০ মোৰ ঈশ্বৰ
দয়ালু, তেওঁৰ প্ৰতিজ্ঞা আৰু বিশ্বস্ততা মোৰ সংগী; মোৰ শত্ৰুবোৰৰ
পৰাজয়, ঈশ্বৰে মোক দেখিবলৈ দিব। ১১ মোৰ লোকসকলে যেন
পাহৰি নাযায়, তাৰ বাবেই তেওঁলোকক বধ নকৰিবা। হে প্ৰভু, আমাৰ
ঢাল; তুমি তোমাৰ শক্তিৰে গোট গোট কৰি তেওঁলোকক হীন অৱস্থালৈ
আনা। ১২ তেওঁলোকৰ পাপ, মুখৰ আৰু ওঁঠৰ কথা, তেওঁলোকে
শাও দিয়া আৰু মিছা কথা কোৱাৰ কাৰণে; তেওঁলোকে তেওঁলোকৰ
অহংকাৰত ধৰা পৰক। ১৩ তুমি ক্ৰোধত তেওঁলোকক সংহাৰ কৰা
যাতে তেওঁলোক আৰু নাথাকে; যাকোবৰ মাজত ঈশ্বৰে যে শাসন
কৰে, পৃথিবীৰ সীমালৈকে যে শাসন কৰে, তাক তেওঁলোকে জানক।
(চেলা) ১৪ তেওঁলোকে গধূলি পৰত উভটি আহি কুকুৰৰ দৰে ৰাও
কাঢ়ক; নগৰত চাৰিওফালে ভ্ৰমণ কৰক। ১৫ তেওঁলোকে আহাৰৰ

কাৰণে ইফালে সিফালে ফুৰিব; যদি তৃপ্ত নহয়, তেনেহলে বিৰক্তিত
উজাগৰে থাকিব। ১৬ কিন্তু মই হলে তোমাৰ পৰাক্ৰমৰ গীত গাম;
এনে কি, ৰাতিপুৱাতে উচ্চ স্বৰেৰে তোমাৰ দয়াৰ গীত গান কৰিম;
কিয়নো তুমি মোৰ উচ্চ দুৰ্গ, সঙ্কটৰ কালত তুমি মোৰ আশ্ৰয় স্থান। ১৭
হে মোৰ বল, মই তোমাৰ উদ্দেশে প্ৰশংসাৰ গীত গান কৰিম; কিয়নো
ঈশ্বৰ মোৰ উচ্চ দুৰ্গ, আৰু তেওঁ মোৰ দয়ালু ঈশ্বৰ।

**৬০** হে ঈশ্বৰ, তুমি আমাক ত্যাগ কৰিলা, ভাঙি চূৰ-মাৰ কৰিলা;
তুমি ক্ৰুদ্ধ হলা; আমাক পুনৰায় স্থাপন কৰা। ২ তুমি দেশ খনত
কঁপনি তুলি তাক বিচিন্ন কৰিলা; তাৰ ফাটবোৰ ভাল কৰা, কিয়নো
সেইবোৰ জোকাৰণি খাইছে। ৩ তুমি তোমাৰ প্ৰজাসকলক নিৰ্দিষ্ট
কিছুমান কঠোৰ কষ্ট ভোগ কৰিবলৈ দিলা; তুমি আমাক ঢলংপলং
কৰাওঁতা দ্ৰাক্ষাৰসো খাবলৈ দিলা; ৪ যি সকলে তোমাক ভয় কৰে
তেওঁলোকৰ বাবে তুমি এখন পতাকা দিয়া; যাতে তেওঁলোকে ধনুৰ
পৰা পলাব পাৰে। (চেলা) ৫ তাতে তোমাৰ প্ৰিয়সকলে উদ্ধাৰ পাব;
তুমি তোমাৰ সোঁ হাতেৰে আমাক উদ্ধাৰ কৰা আৰু আমাক উত্তৰ
দিয়া। ৬ ঈশ্বৰে নিজৰ পবিত্ৰ ঠাইত ক'লে, "মই উল্লাস কৰিম; মই
চিখিম ভাগ বাঁটি দিম, আৰু চুক্কোতৰ উপত্যকা জুখি দিম। ৭ গিলিয়দ
মোৰেই আৰু মনচিও মোৰেই; ইফ্ৰয়িম মোৰ শিৰোৰক্ষক; যিহূদা মোৰ
বিচাৰ-দণ্ড; ৮ মোৱাব মোৰ প্ৰক্ষালন-পাত্ৰ; মই ইদোমলৈ মোৰ জোতা
দলিয়াই দিম; হে দেশ, তুমি জয়ধ্বনি কৰা।" ৯ কোনে মোক সেই দৃঢ়
নগৰৰ ভিতৰলৈ লৈ যাব? কোনে মোক ইদোমলৈ লৈ যাব?" ১০ হে
ঈশ্বৰ, তুমি আমাক ত্যাগ কৰা নাই নে? হে' ঈশ্বৰ, তুমিতো আমাৰ
সৈন্য সমূহৰ লগত যুদ্ধলৈ নোযোৱা। ১১ শত্ৰুৰ বিৰুদ্ধে আমাক সহায়
কৰা; কিয়নো মানুহৰ সহায় বৃথা। ১২ ঈশ্বৰৰ সহায়ৰ দ্বাৰাইহে আমি
জয়জয়কাৰ হ'ম; কিয়নো তেৰেঁই আমাৰ শত্ৰুবোৰক বিদ্ৰুপ কৰিব।

**৬১** হে ঈশ্বৰ, মোৰ ক্ৰন্দন শুনা; মোৰ প্ৰাৰ্থনালৈ কাণ দিয়া। ২ মোৰ
মন দুখত যেতিয়া ভাঙি পৰে, মই পৃথিবীৰ অন্তত থাকিলেও তাৰ
পৰা তোমাক মাতিম; তুমি মোক মোতকৈ ওখ শিলটোলৈ লৈ যোৱা
য'ত মোৰ নিৰাপত্তা আছে। ৩ কিয়নো তুমি মোৰ আশ্ৰয়, শত্ৰুৰ পৰা

ৰক্ষা কৰোঁতা দৃঢ় দুৰ্গ। ৪ মই যেন চিৰকাললৈকে তোমাৰ তম্বুত বাস কৰিবলৈ পাম; তোমাৰ ডেউকাৰ আঁৰত মই যেন আশ্ৰয় পাম। (চেলা) ৫ কিয়নো হে ঈশ্বৰ, তুমিয়েই মোৰ সঙ্কল্পবোৰ শুনিলা। তোমাৰ নাম শ্ৰদ্ধা কৰাসকলৰ আধিপত্য তুমি মোক দিলা। ৬ তুমি ৰজাৰ আয়ুস দীৰ্ঘায়ু. কৰিবা; তেওঁ বয়স বহু পুৰুষলৈকে থাকিব। ৭ তেওঁ ঈশ্বৰৰ সাক্ষাতে চিৰকাল বাস কৰিব; তেওঁৰ ৰক্ষাৰ অৰ্থে দয়া আৰু সত্যতা ব্যৱহাৰ কৰা। ৮ তাতে, মই চিৰকাললৈকে তোমাৰ প্ৰশংসাৰ গান কৰিম; প্ৰতিদিনে নিজৰ সঙ্কল্প সিদ্ধ কৰিম।

**৬২** মোৰ প্ৰাণে নিৰন্তৰে কেৱল ঈশ্বৰলৈহে অপেক্ষা কৰে; তেওঁৰ পৰাই মোৰ পৰিত্ৰাণ হয়। ২ কেৱল তেৱেঁই মোৰ শিলা আৰু মোৰ পৰিত্ৰাণ; তেওঁ মোৰ উচ্চ দুৰ্গ, মই অতিকৈ লৰচৰ নহম। ৩ এজন মানুহক তোমালোকে কিমান দিনলৈকে মাৰিবৰ বাবে আক্ৰমণ কৰি থাকিবা? তেওঁ হালি থকা দেৱাল আৰু পৰোঁ পৰোঁ হোৱা বেৰৰ নিচিনা। ৪ তেওঁলোকে কেৱল তেওঁৰ সন্মানীয় উচ্চ পদৰ পৰা পেলাবলৈহে কুমন্ত্ৰণা কৰিছে; তেওঁলোকে মিছা কথাত সন্তোষ পায়; মুখেৰে আশীৰ্ব্বাদ কৰে, কিন্তু অন্তৰেৰে তেওঁলোকে শাও দিয়ে। (চেলা) ৫ হে মোৰ অন্তৰ, নিৰন্তৰে কেৱল ঈশ্বৰলৈহে অপেক্ষা কৰা; কিয়নো তেৱেঁই মোৰ আশা ৰোপণ কৰে। ৬ কেৱল তেৱেঁই মোৰ শিলা আৰু মোৰ পৰিত্ৰাণ; তেওঁ মোৰ উচ্চ দুৰ্গ, মই লৰচৰ নহম। ৭ ঈশ্বৰ মোৰ পৰিত্ৰাণ আৰু মোৰ গৌৰৱ; মোৰ শক্তি, মোৰ দৃঢ় শিলা আৰু আশ্ৰয় ঈশ্বৰতহে আছে। ৮ হে লোকসকল, সকলো সময়তে বিশ্বাস কৰা; তোমালোকে সদায় তেওঁত নিৰ্ভৰ কৰা; তোমালোকৰ মনৰ সকলো অশান্তিৰ কথা তেওঁৰ আগত কোৱা; কাৰণ ঈশ্বৰেই আমাৰ আশ্ৰয় স্থল। (চেলা) ৯ অৱশ্যে সামান্য লোকসকল অসাৰ আৰু মান্যৱন্ত লোকসকল মিছা; তেওঁলোক তৰ্জুত দাং খাব; ভাপতকৈয়ো তেওঁলোক একেবাৰে ওজনহীন। ১০ তোমালোকে নিৰ্দয় ব্যবহাৰ আৰু প্ৰবঞ্চনা কৰা সকলক বিশ্বাস নকৰিবা; বৃথা ধনী হ'বলৈ আশা নকৰিবা, ধন-সম্পত্তি বাঢ়িলে তালৈ মন নিদিবা। ১১ ঈশ্বৰে এবাৰ ক'লে; মই ইয়াক দুবাৰ শুনিলোঁ, যে পৰাক্ৰম ঈশ্বৰৰহে। ১২ হে প্ৰভু,

প্ৰতিজ্ঞা আৰু বিশ্বস্ততা তোমাৰ অধীন; কিয়নো তুমি প্ৰত্যেক মানুহক
তেওঁলোকৰ কৰ্মৰ অনুসাৰে প্ৰতিফল দিছা।

**৬৩** হে ঈশ্বৰ, তুমি মোৰ ঈশ্বৰ; আন্তৰিকতাৰে মই তোমাক বিচাৰিম;
পানী নথকা শুকান আৰু খৰাং দেশত, তোমালৈ হাবিয়াহ কৰোঁতে,
মোৰ প্ৰাণ তৃষ্ণাতুৰ হৈছে, মোৰ শৰীৰ ক্ষীণাই গৈছে। ২ এই দৰে
মই তোমাৰ আশ্ৰয় স্থল, পৰাক্ৰম আৰু গৌৰৱ দেখিবলৈ, পবিত্ৰ
স্থানত তোমাক চাইছিলোঁ। ৩ কিয়নো তোমাৰ প্ৰতিজ্ঞা আৰু বিশ্বস্ততা
জীৱনতকৈয়ো উত্তম; মোৰ ওঁঠে তোমাৰ স্তুতি প্ৰশংসা কৰিব। ৪
এইদৰে মই জীয়াই থাকোমানে তোমাৰ ধন্যবাদ কৰিম, তোমাৰ
নামত মই মোৰ হাত প্ৰাৰ্থনাৰ সময়ত ওপৰলৈ তুলি ধৰিম। ৫
লোকসকলে মগজু আৰু তেলীয়া মাংসত যেনেকৈ সন্তুষ্ট, তেনেকৈ
মোৰ প্ৰাণ তৃপ্ত হ’ব; আৰু মোৰ মুখে আনন্দিত মনেৰে তোমাৰ প্ৰশংসা
কৰিব। ৬ মই মোৰ শয্যাত শুই তোমাৰ কথা ভাৱো; নিশা প্ৰহৰে
প্ৰহৰে তোমাক ধ্যান কৰোঁ। ৭ কিয়নো তুমি মোৰ সহায়কৰ্তা; তোমাৰ
ডেউকাৰ ছাঁত মই আনন্দ কৰিম। ৮ মোৰ প্ৰাণে তোমাক ধৰি ৰাখিছে;
তোমাৰ সোঁ হাতে মোক ধৰি ৰাখিছে। ৯ যিবোৰে বিনাশৰ অৰ্থে মোৰ
প্ৰাণ বিচাৰিছে, তেওঁলোক পৃথিৱীৰ অধঃস্থানলৈ গতি কৰিব। ১০
তেওঁলোক তৰোৱালৰ ধাৰত সমৰ্পিত হ’ব; আৰু তেওঁলোকৰ অংশ
শিয়ালৰ আহাৰ হ’ব। ১১ কিন্তু ৰজাই ঈশ্বৰত আনন্দ কৰিব; তেওঁৰ
নামেৰে শপত কৰা প্ৰতিজনে গৌৰৱ কৰিব, কিয়নো মিছলীয়াবোৰৰ
মুখ বন্ধ হ’ব।

**৬৪** হে ঈশ্বৰ, মোৰ অভিযোগবোৰৰ কথা কওঁতে মোৰ মাত শুনা;
শত্ৰুৰ ভয়ৰ পৰা মোৰ জীৱন ৰক্ষা কৰা। ২ দুষ্টবোৰৰ ষড়যন্ত্ৰৰ
পৰা মোক লুকুৱাই ৰাখা; দুৰাচাৰীবিলাকৰ মানসিক উত্তেজনাৰ
অপৰাধবোৰৰ পৰা মোক গুপুতে ৰাখা। ৩ তেওঁলোকে তৰোৱাল
ধৰোঁৱাদি নিজৰ জিভা ধৰাইছে; তেওঁলোকে তিক্ততাপূৰ্ণ কথাৰ
ধনুকাঁড় জুৰিছে। ৪ নিৰ্দোষী জনক গুপুতে মাৰিবলৈ নিজৰ কাঁড়
জুৰিছে; তেওঁলোকে তালৈ অকস্মাতে বাণ মাৰে, ভয় নকৰে। ৫
সিহঁতে কুমন্ত্ৰণাত নিজক উৎসাহ দিয়ে; গুপুতে ফান্দ পতাৰ বিষয়ে

কথা পাতে; সিহঁতে কয়, “এই আমাক কোনে দেখিব?” ৬ তেওঁলোকে
কু-পৰিকল্পনাৰ বিষয়ে আলোচনা কৰে; তেওঁলোকে কয়, “আমি
ভালকৈ ভাবি-চিন্তি কল্পনা কৰি থৈছোঁ।” প্ৰত্যেকৰ আন্তৰিক ভাব আৰু
হৃদয় গভীৰ। ৭ কিন্তু ঈশ্বৰে তেওঁলোকক আহত কৰিব; অকস্মাতে
কাঁড়ৰ দ্বাৰাই আঘাত কৰিব। ৮ তেওঁলোকে অন্যায় কাম কৰাৰ
কাৰণে, তেওঁলোকৰ জিভা তেওঁলোকৰ বিৰোধী হ’ল। যি সকলে
তেওঁলোকক অস্থিৰ হোৱা দেখিব; তেওঁলোক সকলোৱে তাকে দেখি
মূৰ জোকাৰিব। ৯ তেওঁলোক সকলোৱে ভয়াৰ্ত হ’ব; ঈশ্বৰে যি কাৰ্য
কৰিলে, সেই বিষয়ে চিন্তা কৰিব, তেওঁলোকে ঈশ্বৰৰ কাৰ্যৰ বিষয়ে
ঘোষণা কৰিব। ১০ ধাৰ্মিক লোকে যিহোৱাত আনন্দিত হৈ তেওঁত
আশ্ৰয় ল’ব; ঈশ্বৰ ভক্ত সকলোৱে তেওঁৰ ন্যায়পৰায়ণতা দেখি অন্তৰৰে
গৌৰৱ কৰিব।

**৬৫** হে ঈশ্বৰ, চিয়োনত প্ৰশংসাই তোমালৈ অপেক্ষা কৰি আছে;
তোমালৈ সঙ্কল্প সিদ্ধ কৰা হব। ২ হে প্ৰাৰ্থনা শুনোতা জনা, তোমাৰ
ওচৰলৈ সকলো মানুহ আহিব। ৩ আমাৰ অপৰাধবোৰ আমাৰ বিৰুদ্ধে;
তথাপি আমাৰ অধৰ্মবোৰ তুমিয়েই ক্ষমা কৰিবা। ৪ ধন্য সেই লোক,
যি লোকক তুমি বাচি লৈ নিজৰ কাষলৈ আনা; তেওঁ তোমাৰ চোতাল
কেইখনত বাস কৰিব, আমি তোমাৰ গৃহত, তোমাৰ মন্দিৰৰ পবিত্ৰ-
স্থানত সন্তুষ্ট হ’ম। ৫ তোমাৰ ধাৰ্মিকতাৰে উত্তৰ দি আশ্চৰ্যজনক কাৰ্য
কৰিবা; ঈশ্বৰ আমাৰ উদ্ধাৰকৰ্তা; পৃথিবীৰ অন্তলৈকে তুমি আমাৰ
বিশ্বাসভূমি; সমুদ্ৰ আৰু সেইবোৰৰ পৰা দূৰৈত থকা সকলৰো। ৬ এই
জনেই তুমি যি জনে পৰাক্ৰমেৰে পৰ্ব্বতবোৰ সৃষ্টি কৰি দৃঢ় কৰে; শক্তি
স্বৰূপ টঙালিৰে বিশেষ ভাৱে নিজকে বান্ধে। ৭ সমুদ্ৰ আৰু তাৰ ঢৌৰ
গৰ্জন শান্ত কৰে, আৰু তাৰ ঢৌৰ গৰ্জন, লোক সকলৰ কোলাহল শান্ত
কৰে; ৮ পৃথিবীৰ চূড়ান্ত সীমাত থকা লোকসকলে তোমাৰ অদ্ভুত
লক্ষণবোৰ দেখি ভয় কৰে; সূৰ্য উঠা দিশৰ পৰা অস্ত যোৱালৈকে
আনন্দিত কৰে। ৯ তুমি পৃথিবীৰ বুজ-বিচাৰ ল’লা, আৰু তাত জল
বৰষালা; তুমি তাক বহু ফলৱান কৰিলা; ঈশ্বৰৰ নদী জলেৰে পৰিপূৰ্ণ;
তুমি এইদৰে ভূমি যুগুত কৰি লোকসকলৰ বাবে শস্য যোগাইছা।

১০ তুমি তাৰ সীৰলুবোৰত প্ৰচুৰ পৰিমাণে পানী দিলা; তুমি তাৰ
সীৰলুবোৰৰ মাজত মাটিবোৰ বহালা; তুমি জাক জাক বৰষুণেৰে
ভূমি কোমল কৰিলা; তুমি ভূমিৰ মাজত গজা অঙ্কুৰবোৰক আশীৰ্ব্বাদ
কৰিলা। ১১ তুমি তোমাৰ মঙ্গলৰ মুকুটেৰে বছৰটো ভূষিত কৰিলা;
আৰু তোমাৰ ৰথ যোৱা পথবোৰত পুষ্টিকৰ দ্ৰব্য পোৱা যায়। ১২
অৰণ্যৰ চৰণীয়া পথাৰতহে তাক পোৱা যায়; আৰু পাহাৰবোৰে তাত
আনন্দৰ ভূষণ পৰিধান কৰে। ১৩ চৰণীয়া পথাৰবোৰ জাক জাক
মেৰ-ছাগৰ বস্ত্ৰেৰে বিভূষিত হৈছে; উপত্যকাবোৰ শস্যৰে ঢকা হৈছে;
সেইবোৰে জয়-ধ্বনি কৰে আৰু গীত গান কৰে।

**৬৬** হে গোটেই পৃথিৱীৰ লোকসকল, তোমালোকে ঈশ্বৰৰ উদ্দেশ্যে
আনন্দ-ধ্বনি কৰা। ২ তোমালোকে তেওঁৰ নামৰ গৌৰৱ কীৰ্ত্তন
কৰা; তেওঁৰ প্ৰশংসা গৌৰৱান্বিত কৰা। ৩ তোমালোকে ঈশ্বৰক
কোৱা, “তোমাৰ কাৰ্যবোৰ কেনে আতঙ্কজনক! তোমাৰ পৰাক্ৰমৰ
কাৰণে শত্ৰুবোৰে তোমাত আত্মসমৰ্পণ কৰিব। ৪ গোটেই পৃথিৱীৰ
লোকে তোমাৰ প্ৰণিপাত কৰিব, তোমাৰ উদ্দেশ্যে গীত গান কৰিব;
তেওঁলোকে তোমাৰ নাম কীৰ্ত্তন কৰিব”। (চেলা) ৫ আহাঁ, ঈশ্বৰৰ
কাৰ্যবোৰ চাওগৈ; তেওঁ নিজৰ কাৰ্যৰ কাৰণে মনুষ্য সন্তান সকলে
ভয়ঙ্কৰ যেন মানিলে। ৬ তেওঁ সমুদ্ৰক শুকান ভূমি কৰিলে; লোকসকলে
খোজ কাঢ়ি নদী পাৰ হ'ল; সেই ঠাইত আমি তেওঁত আনন্দ কৰিলোঁ।
৭ তেওঁ নিজৰ পৰাক্ৰমৰ দ্বাৰাই অনন্ত কাল ৰাজত্ব কৰে; তেওঁ
জাতিবোৰলৈ চকু ৰাখে; বিদ্ৰোহীবোৰে নিজক উন্নত নকৰক। (চেলা)
৮ হে জাতিবিলাক, আমাৰ সেই ঈশ্বৰৰ ধন্যবাদ কৰা, আৰু তেওঁৰ
প্ৰশংসাৰ ধ্বনি শুনুৱা; ৯ যি জনাই আমাক জীয়াই ৰাখে, যি জনাই
আমাৰ ভৰি লৰচৰ হ'বলৈ নিদিয়ে। ১০ কিয়নো, হে ঈশ্বৰ, তুমি
আমাক পৰীক্ষা কৰিলা, ৰূপ খপাৰ দৰে আমাক পৰীক্ষা কৰিলা। ১১
তুমি আমাক জালেৰে মেৰিয়াই আনিলা; তুমি আমাৰ কঁকালত অতি
গধূৰ বোজা দিছিলা। ১২ তুমি আমাৰ মূৰৰ ওপৰেদি অশ্বাৰোহীক
চলাইছিলা, আমি অগ্নি আৰু জলৰ মাজেদি গতি কৰিছিলোঁ; কিন্তু
তুমি আমাক বিস্তিৰ্ণ ঠাইলৈ উলিয়াই আনিলা। ১৩ মই হোম-বলিৰে

তোমাৰ গৃহলৈ আহিম; আমি তোমাৰ ওচৰত প্ৰতিজ্ঞা পূৰণ কৰিম।
১৪ মুখে প্ৰকাশ কৰা মোৰ সঙ্কল্পবোৰ কৰোঁ, দুখৰ কালত মোৰ ওঁঠে
উচ্চাৰণ কৰা কথা তোমালৈ সিদ্ধ কৰিম। ১৫ মেৰ-ছাগ ছাগলী আৰু
ধূপেৰে সৈতে, মই তোমাৰ উদ্দেশে হৃষ্টপুষ্ট হোম-বলি উৎসৰ্গ কৰিম;
ছাগলীৰ সৈতে দামুৰিকো বলিদান উৎসৰ্গ কৰিম। (চেলা) ১৬ হে
ঈশ্বৰলৈ ভয় ৰাখোঁতাসকল, আহাঁ, শুনা; তেওঁ মোৰ প্ৰাণৰ কাৰণে
যি কৰিলে, মই তাক ঘোষণা কৰোঁ। ১৭ মই মোৰ মুখেৰে তেওঁৰ
আগত প্ৰাৰ্থনা কৰিলোঁ, আৰু মোৰ জিভাৰ দ্বাৰাই তেওঁক গৌৰৱান্বিত
কৰা হ'ল। ১৮ যদি মই অন্তঃকৰণত অধৰ্ম মানিলোহেঁতেন, তেন্তে
প্ৰভুৱে নুশুনিলেহেঁতেন; ১৯ কিন্তু সচাঁকৈয়ে ঈশ্বৰে শুনিলে; তেওঁ মোৰ
প্ৰাৰ্থনাৰ স্বৰলৈ কাণ পাতিলে। ২০ ঈশ্বৰ ধন্য হওক, তেওঁ মোৰ প্ৰাৰ্থনা
অগ্ৰাহ্য নকৰিলে, আৰু মোৰ পৰা নিজ দয়াও দূৰ নকৰিলে।

**৬৭** হে ঈশ্বৰ যিহোৱা তোমাৰ কৰুণাৰে আমাক আশীৰ্ব্বাদ কৰা,
তেওঁ তেওঁৰ আচৰিত চেহেৰাৰ পোহৰ আমাৰ ওপৰত পৰিবলৈ
দিয়ক। ২ গোটেই পৃথিবীয়ে যেন তোমাৰ পথ জানে; সকলো জাতিৰ
মাজত যেন তোমাৰ পৰিত্ৰাণ প্ৰকাশিত হয়। ৩ হে ঈশ্বৰ, লোকসকলে
তোমাৰ প্ৰশংসা কৰক; সকলো লোকে তোমাৰ প্ৰশংসা কৰক। ৪
জাতিবোৰে উল্লাসিত হৈ আনন্দৰ গীত গাব; এই লোকবোৰৰ ন্যায়
বিচাৰ তুমি ন্যায়েৰে কৰিবা, পৃথিবীৰ জাতিবোৰক নিয়ন্ত্ৰণ কৰিবা।
(চেলা) ৫ হে ঈশ্বৰ, লোকসকলে তোমাৰ প্ৰশংসা কৰক, সমুদায়
লোকে তোমাৰ প্ৰশংসা কৰক। ৬ পৃথিবীয়ে শ্ৰমৰ ফল উৎপন্ন কৰিলে;
ঈশ্বৰে, আমাৰ ঈশ্বৰে, আমাক আশীৰ্ব্বাদ কৰিব। ৭ ঈশ্বৰে আমাক
আশীৰ্ব্বাদ কৰিব, আৰু পৃথিবীৰ সকলো সীমাই তেওঁলৈ ভয় ৰাখিব।

**৬৮** ঈশ্বৰ উঠক; তেওঁৰ শত্ৰুবোৰ থান বান হৈ যাওঁক; তেওঁক
ঘিণাওঁতাবিলাক তেওঁৰ আগৰ পৰা দূৰ হওঁক। ২ ধোঁৱাৰ দৰে তুমি
তেওঁলোকক উৰুৱাই নিয়া; মম যেনেকৈ জুইৰ ওচৰত গলি যায়,
তেনেকৈ দুষ্টবোৰ ঈশ্বৰৰ সন্মুখত বিনষ্ট হওঁক। ৩ কিন্তু ধাৰ্মিকসকলে
আনন্দ কৰক, ঈশ্বৰৰ সাক্ষাতে উল্লাস কৰক; তেওঁলোকে আনন্দ
কৰি উল্লাস কৰক। ৪ তোমালোকে ঈশ্বৰৰ উদ্দেশ্যে গীত গোৱা,

তেওঁৰ নামৰ প্ৰশংসাৰ গান কৰা; মৰুভূমিৰ মাজেদি যি জন বাহনত
উঠি আহিছে, তেওঁৰ কাৰণে এটি ৰাজপথ যুগুত কৰা; তেওঁৰ নাম
যিহোৱা, তোমালোকে তেওঁৰ উপস্থিতিত উল্লাস কৰা। ৫ ঈশ্বৰ
তেওঁৰ পবিত্ৰ বাসস্থানত পিতৃহীনৰ পিতৃ আৰু বিধৱাসকলৰ ন্যায়কৰ্তা।
৬ অকলশৰীয়াসকলে বাস কৰি থাকিবলৈ ঈশ্বৰে পৰিয়াল দান
কৰে; তেওঁ বন্দীসকলক মুক্ত কৰি উন্নতিৰ অৱস্থালৈ আনে; কিন্তু
বিদ্ৰোহীসকলে শুকান ভূমিত বাস কৰে। ৭ হে ঈশ্বৰ, তুমি যেতিয়া
মৰুভূমিৰ মাজেদি তোমাৰ লোক সকলৰ আগে আগে গৈছিলা, (চেলা)
৮ তেতিয়া পৃথিৱী কঁপি উঠিছিল আৰু আকাশেও বৰষুণ বৰ্ষাইছিল; এই
সকলোবোৰ হৈছিল ঈশ্বৰৰ সাক্ষাতে, চীনয় পৰ্বতৰ, সেই ঈশ্বৰৰ
উপস্থিতিত; ঈশ্বৰৰ সাক্ষাতে, ইস্ৰায়েলৰ ঈশ্বৰৰ উপস্থিতিত। ৯ হে
ঈশ্বৰ, তুমি প্ৰচুৰ পৰিমাণে বৰষুণ বৰষাইছিলা; তুমি তোমাৰ শুকান
দেশত পুনৰায় নিজৰ আধিপত্য শক্তিশালী কৰি তুলিলা। ১০ তোমাৰ
নিজৰ লোকসকলে তাত বাস কৰিলে; হে ঈশ্বৰ, তোমাৰ দয়াৰে তুমি
দৰিদ্ৰসকলৰ অভাৱ পূৰণ কৰিছিলা। ১১ যিহোৱাই লোক সমূহক
আদেশ দিয়ে; সু-সংবাদ ঘোষণাকাৰী মহিলাসকল সংখ্যাত বৃহৎ
দল। ১২ তেওঁলোকে ঘোষণা কৰে, “সৈন্যদলৰ ৰজাসকল পলাই
গৈছে, পলাই গৈছে!” ঘৰৰ গৃহিণীসকলে যুদ্ধৰ লুটদ্ৰব্য ভাগ বাঁটি
লৈছে: ১৩ যদিও তেওঁলোকে মেৰ-ছাগৰ গঁৰালবোৰৰ মাজত থাকে -
তথাপি তেওঁলোকে ৰূপেৰে আবৃত হোৱা কপৌৰ ডেউকা আৰু তাৰ
সোণোৱালী পাখি পাব। ১৪ সৰ্ব্বশক্তিমান ঈশ্বৰে যেতিয়া দেশৰ মাজত
ৰজাসকলক ছত্ৰভঙ্গ কৰিলে, তেতিয়া চলমোন পৰ্বতৰ ওপৰত বৰফ
পৰিছিল। ১৫ হে বিশাল পৰ্বত, বাচান পাহাৰৰ বিশাল পৰ্বত; হে
অনেক শৃঙ্গ সম্বলিত পৰ্বত, বাচান পাহাৰৰ পৰ্বত! ১৬ হে অনেক শৃঙ্গ
সম্বলিত পৰ্বত, ঈশ্বৰে যি পৰ্বতক নিজৰ আবাসৰ বাবে বাচি লৈছে,
তালৈ তুমি হিংসা দৃষ্টিৰে কিয় চাই আছা? সেই ঠাইতেই যিহোৱাই
চিৰকাললৈকে বাস কৰিব। ১৭ ঈশ্বৰৰ শক্তিশালী ৰথ হাজাৰ হাজাৰ,
লাখ লাখ; যিহোৱা চীনয় পৰ্বতৰ পৰা পবিত্ৰ স্থানলৈ আহিব। ১৮ তুমি
যেতিয়া ওখ পৰ্বতত উঠিলা, তুমি যুদ্ধ-বন্দীসকলক বন্দী কৰি লৈ গ’লা;

লোকসকলৰ পৰা, এনেকি তোমাৰ বিৰুদ্ধে যুদ্ধ কৰা সকলৰ পৰাও
অনেক দান আহিছিল, যাতে হে ঈশ্বৰ যিহোৱা, তুমি তেওঁলোকৰ
মাজত থাকিব পাৰা। ১৯ প্রতিদিনে আমাৰ বোজা বহন কৰা যিহোৱা
ধন্য; তেৱেঁই আমাৰ পৰিত্রাণকর্তা ঈশ্বৰ। (চেলা) ২০ আমাৰ ঈশ্বৰ
হৈছে পৰিত্রাণৰ ঈশ্বৰ। যিহোৱা ঈশ্বৰে মৃত্যুৰ পৰা ৰক্ষা কৰে। ২১
কিন্তু ঈশ্বৰে নিজ শত্রুবোৰৰ মূৰ চূর্ণ কৰিব, যিসকলে কুপথত চলি
থাকে, চুলিৰে পূর্ণ হৈ থকা সেই সকলো লোকৰ মূৰৰ লাউখোলা তেওঁ
গুড়ি কৰিব। ২২ প্রভুৱে ক'লে, "মই বাচান দেশৰ পৰা তেওঁলোকক
লৈ আনিম; সমুদ্রৰ গভীৰ তলৰ পৰা তেওঁলোকক তুলি আনিম, ২৩
যাতে শত্রুবোৰৰ তেজত তুমি তোমাৰ ভৰি জুবুৰিয়াব পাৰা, আৰু
তোমাৰ কুকুৰবোৰৰ জিভাই যেন তাক ইচ্ছা মতে চেলেকি নিজৰ
ভাগ পাব পাৰে।" ২৪ হে ঈশ্বৰ, লোকসকলে তোমাৰ আড়ম্বৰপূর্ণ
যাত্রা দেখিছে; পবিত্র স্থানলৈ যোৱা মোৰ ঈশ্বৰ, মোৰ ৰজাৰ যাত্রা
দেখিছে। ২৫ আগত গায়নসকল গৈছে, শেষত গৈছে বাদ্যযন্ত্ৰৰ
বায়নসকল, খঞ্জৰী বজোৱা ছোৱালীবোৰ তেওঁলোকৰ মাজত গৈছে।
২৬ তোমালোকে বৃহৎ সমাজবোৰৰ মাজত ঈশ্বৰৰ ধন্যবাদ কৰা; হে
ইস্রায়েল-ভুমুকৰ পৰা ওলোৱা বংশধৰসকল, যিহোৱাৰ ধন্যবাদ কৰা।
২৭ তেওঁলোকৰ মাজৰ সকলোতকৈ সৰু বিন্যামীন, যাৰ হাতত ৰাজদণ্ড
আছে, সৌৱা, তেওঁৰ বংশ গৈছে; সৌৱা যিহূদাৰ নেতাসকল আৰু
তেওঁলোকৰ মন্ত্রীসকল, সৌৱা জবূলূনৰ নেতাসকল আৰু নপ্তালীৰ
নেতাসকল তাত আছে। ২৮ হে ঈশ্বৰ, তোমাৰ পৰাক্রমৰ আজ্ঞা দিয়া;
হে ঈশ্বৰ, তোমাৰ শক্তি প্রদর্শন কৰা, যেনেকৈ আগেয়ে তুমি আমাৰ
পক্ষে কার্য প্রদর্শন কৰিছিলা। ২৯ যিৰূচালেমত তোমাৰ মন্দিৰ থকাৰ
কাৰণে ৰজাসকলে তোমাৰ উদ্দেশ্যে উপহাৰ লৈ যাব। ৩০ নলনিৰ
বনৰীয়া জন্তু সেই মিচৰক তুমি ধমকি দিয়া; বলদে নিজৰ দামুৰিৰ
জাকবোৰক নিয়ন্ত্রণ কৰাৰ দৰে সেই সকলো জাতিবোৰক ধমকি
দিয়া। যিসকলে উপহাৰ কামনা কৰে, তেওঁলোকক তোমাৰ ভৰিৰ
তলত গচকিবা; যি জাতিয়ে যুদ্ধ ভাল পায়, তেওঁলোকক সিচঁৰিত
কৰা। ৩১ মিচৰৰ পৰা ৰাষ্ট্রদূতসকল আহিব; কুচে ততালিকে ঈশ্বৰলৈ

নিজৰ হাত মেলিব। ৩২ হে পৃথিবীৰ সকলো ৰাজ্য, ঈশ্বৰৰ উদ্দেশ্যে
গান কৰা, যিহোৱাৰ স্তুতিগান কৰা। (চেলা) ৩৩ তোমালোকে অনাদি
কালৰ পৰা অৱস্থান কৰা আকাশৰ মাজেদি ৰথত উঠি চলাচল কৰা
জনাৰ উদ্দেশ্যে গান কৰা। শুনা, তেওঁৰ স্বৰ; তেওঁ উচ্চ স্বৰেৰে কথা
কৈছে। ৩৪ ঈশ্বৰৰ পৰাক্ৰম ঘোষণা কৰা; তেওঁৰ মহিমা ইস্রায়েলৰ
ওপৰত আছে আৰু আকাশ জুৰি তেওঁৰ পৰাক্ৰম প্ৰকাশ হৈ আছে।
৩৫ হে ঈশ্বৰ, তোমাৰ পবিত্ৰ স্থানত তোমাৰ উপস্থিতিয়ে ভয় জগাই
তোলে। ইস্রায়েলৰ ঈশ্বৰেই নিজ লোকক বল আৰু শক্তি দান কৰে।
ঈশ্বৰৰ প্ৰশংসা হওঁক!

**৬৯** হে ঈশ্বৰ, মোক পৰিত্ৰাণ কৰা; কিয়নো মই জলপ্লাৱনত ডিঙিলৈ
ডুবি যাব ধৰিছোঁ। ২ মই গভীৰ বোকাত তল গৈছো, তাত থিয় হবলৈ
ঠাই নাই; গভীৰ জলত আহি পৰিলোঁ, ধল পানী মোৰ ওপৰেৰে বৈ
গৈছে। ৩ মই কান্দি কান্দি ভাগৰিলোঁ, মোৰ ডিঙি শুকাই গ'ল; মই
ঈশ্বৰলৈ বাট চাই থাকোঁতে থাকোঁতে, মোৰ চকু দুৰ্ব্বল হৈ পৰিল।
৪ অকাৰণে মোক ঘিণাওঁতাসকল মোৰ মূৰৰ চুলিতকৈয়ো অধিক;
অকাৰণে মোৰ শত্ৰু হৈ মোক নষ্ট কৰিব খোজাসকল অতি শক্তিশালী;
মই যি চুৰ কৰা নাই, তাক মই ওলোটাই দিব লাগে। ৫ হে ঈশ্বৰ,
তুমিয়েই মোৰ মুৰ্খতা জানি আছা; আৰু মোৰ দোষবোৰ তোমাৰ
আগত লুকাই নাথাকে। ৬ হে বাহিনীসকলৰ ঈশ্বৰ যিহোৱা, তোমালৈ
অপেক্ষা কৰাসকল মোৰ দ্বাৰাই যেন লাজত নপৰে; হে ইস্রায়েলৰ
ঈশ্বৰ, তোমাক বিচাৰাসকল মোৰ দ্বাৰাই অপমানিত নহওক। ৭
তোমাত মই আসক্ত হোৱাৰ কাৰণে লোকসকলে মোক অপমানিত
কৰে; তেওঁলোকে মোক সম্পূৰ্ণ ভাবে অপদস্থ কৰিলে। ৮ মই মোৰ
ভাইসকলৰ মাজত বিদেশী হলোঁ; তেওঁলোকে মোক বিদেশীৰ দৰে
ব্যৱহাৰ কৰে। ৯ কিয়নো তোমাৰ গৃহৰ কাৰণে হোৱা মোৰ উৎসাহ-
অগ্নিয়ে মোক গ্ৰাস কৰিলে; আৰু তোমাক নিন্দা কৰাবিলাকৰ নিন্দা
মোৰ ওপৰত পৰিল। ১০ যেতিয়া মই কান্দি কান্দি লঘোনেৰে মোৰ
প্ৰাণক দুখ দিছিলোঁ; তেতিয়া সেয়ে মোলৈ নিন্দাৰ কাৰণ হ'ল। ১১
যেতিয়া মই চট কাপোৰ পিন্ধি দুখ প্ৰকাশ কৰিছিলোঁ; তেতিয়া মই

তেওঁলোকৰ দৃষ্টান্ত স্বৰূপ হলোঁ। ১২ নগৰৰ দুৱাৰমুখত বহাসকলে মোৰ
বিষয়ে কথা পাতে; মই মতলীয়াবোৰৰ গানৰ বিষয় হলোঁ। ১৩ কিন্তু হে
যিহোৱা, মই হলে সদায় তোমাৰ আগত প্ৰাৰ্থনা কৰোঁ তাক তুমি গ্ৰহণ
কৰা; তোমাৰ অধিক দয়াৰ গুণে তোমাৰ পৰিত্ৰাণৰ সত্যতাত মোক
উত্তৰ দিয়া। ১৪ বোকাৰ পৰা মোক উদ্ধাৰ কৰা, ডুবি যাবলৈ নিদিবা;
মোক ঘিণাওঁতাবোৰৰ পৰা আৰু গভীৰ জলৰ পৰাও মোক উদ্ধাৰ
কৰা। ১৫ ধল পানীয়ে মোক তল নিনিয়াওক, গভীৰ জলে মোক গ্ৰাস
নকৰক; আৰু মৈদামৰ মুখ মোৰ ওপৰত বন্ধ নহওক। ১৬ হে যিহোৱা,
মোৰ প্ৰাৰ্থনাৰ উত্তৰ দিয়া, কিয়নো তোমাৰ প্ৰতিজ্ঞা বিশ্বস্ততা উত্তম;
তোমাৰ প্ৰচুৰ দয়া অনুসাৰে মোলৈ মুখ ঘূৰুৱা। ১৭ তোমাৰ দাসৰ পৰা
তোমাৰ মুখ লুকুৱাই নাৰাখিবা; কাৰণ মই সঙ্কটত আছোঁ; শীঘ্ৰে মোক
উত্তৰ দিয়া। ১৮ তুমি মোৰ ওচৰ চাপি মোৰ প্ৰাণ মুক্ত কৰা; মোৰ
মুক্তিপণ দি শত্ৰুবোৰৰ পৰা মোক উদ্ধাৰ কৰা। ১৯ মোৰ অপযশ,
লাজ, আৰু অপমান তুমিয়েই জানি আছা; মোৰ সকলো প্ৰতিদ্বন্দী
তোমাৰ আগত আছে। ২০ তীব্ৰ তিৰস্কাৰত মোৰ মন ভগ্ন হৈ দুখেৰে
ভৰি পৰিল; কোনোবাই মোক কৃপা কৰিব বুলি মই বাট চালোঁ, কিন্তু
কোনো নাছিল; শান্ত্বনা কৰাসকললৈ অপেক্ষা কৰিলোঁ, কিন্তু এজনো
নাপালোঁ। ২১ তেওঁলোকে মোক আহাৰৰ বাবে বিহ দিলে; মোৰ
পিয়াহত তেওঁলোকে মোক টেঙা ৰস পান কৰালে। ২২ তেওঁলোকৰ
আগত থকা আহাৰেই তেওঁলোকৰ ফান্দৰ দৰে হ'ব; আৰু তেওঁলোকৰ
সম্পত্তিয়ে তেওঁলোকক জালত পেলাব। ২৩ তেওঁলোকে কেতিয়াও
দেখা নাপাবলৈ তেওঁলোকৰ চকু অন্ধ হওক; তুমি তেওঁলোকৰ কঁকাল
সদায় কঁপি থকা কৰা। ২৪ তেওঁলোকৰ ওপৰত তোমাৰ অতিশয়
ক্ৰোধ দেখুৱা; তোমাৰ প্ৰচণ্ড ক্ৰোধে তেওঁলোকক আতঙ্কগ্ৰস্থ কৰক।
২৫ তেওঁলোকৰ বাসস্থান উচ্ছন্ন হওক; তেওঁলোকৰ তম্বুত কোনেও বাস
নকৰক। ২৬ কিয়নো তেওঁলোকক নিৰ্যাতন কৰা জনকেই তুমি প্ৰহাৰ
কৰা; তেওঁলোকে তুমি শাস্তি দিয়া সকলৰ দুখৰ বিষয়ে কথা পাতে। ২৭
তুমি তেওঁলোকৰ অপৰাধৰ ওপৰত অপৰাধ যোগ দিয়া; তেওঁলোকে
তোমাৰ ধাৰ্মিকতাৰ ভাগী নহওক। ২৮ জীৱিতসকলৰ তালিকাৰ পৰা

তেওঁলোকৰ নাম মচি পেলোৱা হওক; আৰু ধাৰ্মিকসকলৰ লগত
তেওঁলোকৰ নাম লিখা নহওক। ২৯ কিন্তু মই হলে, দুখ আৰু বেদনা
পাইছো; হে ঈশ্বৰ, তোমাৰ পৰিত্ৰাণে মোক উন্নত কৰক। ৩০ মই এটি
গানেৰে ঈশ্বৰৰ নামৰ প্ৰশংসা কৰিম; ধন্যবাদেৰে তেওঁক উল্লাসিত
কৰিম। ৩১ তেওঁলোকৰ অনুগ্ৰহ যিহোৱাৰ্লৈ ভতৰা গৰুতকৈ উত্তম;
নাইবা শিং আৰু খুৰা থকা ভতৰাতকৈয়ো, সেয়ে যিহোৱাক অধিক
সন্তোষ দিব। ৩২ নম্ৰসকলে তাকে দেখি আনন্দিত হ'ব; হে ঈশ্বৰক
বিচাৰাসকল তোমালোকৰ হৃদয় পুনৰ্জীৱিত হওক। ৩৩ কিয়নো
যিহোৱাই দৰিদ্ৰসকললৈ কাণ পাতে; আৰু তেওঁ নিজৰ বন্দীয়াৰসকলক
হেয়জ্ঞান নকৰে। ৩৪ আকাশ আৰু পৃথিবীয়ে তেওঁৰ প্ৰশংসা কৰক;
সাগৰ আৰু তাৰ মাজত চৰি ফুৰা সমুদায় প্ৰাণীয়ে তেওঁৰ স্তুতি কৰক।
৩৫ কিয়নো ঈশ্বৰে চিয়োনক পৰিত্ৰাণ কৰিব আৰু যিহূদাৰ নগৰবোৰ
পুনৰায় নিৰ্ম্মাণ কৰিব; লোকসকলে তাত বাস কৰি তাক অধিকাৰ
কৰিব। ৩৬ তেওঁৰ দাসবোৰৰ বংশয়ো তাক অধিকাৰ কৰিব; তেওঁৰ
নাম প্ৰেম কৰোঁতাসকলে তাত বাস কৰিব।

**৭০** হে ঈশ্বৰ, মোক ৰক্ষা কৰা! হে যিহোৱা, শীঘ্ৰে মোক উদ্ধাৰ
কৰিবলৈ আহা। ২ যিসকল লোকে মোৰ বিপদত সন্তুষ্ট হয়, তেওঁলোক
অভিশপ্ত হৈ লাজ পাওক; মোৰ প্ৰাণ বিচাৰোঁতাসকল বঞ্চিত হৈ বিভ্ৰান্ত
হওক। ৩ যিসকলে মোক আহা আহা বোলে; তেওঁলোকে লাজ পাই
উলটি যাওক। ৪ তোমাক বিচাৰোতাসকল তোমাত আনন্দ কৰি
উল্লাসিত হওক; তোমাৰ পৰিত্ৰাণক প্ৰীতি কৰোঁতা সকলে "যিহোৱা
মহিমান্বিত হওক" বুলি সদায় কওক। ৫ কিন্তু মই হ'লে অভাবগ্ৰস্ত
আৰু দৰিদ্ৰ; হে ঈশ্বৰ, মোৰ ওচৰলৈ শীঘ্ৰে আহাঁ; তুমি মোৰ সহায়
আৰু মোৰ উদ্ধাৰকৰ্ত্তা; হে যিহোৱা, পলম নকৰিবা।

**৭১** হে যিহোৱা, মই তোমাতেই আশ্ৰয় লৈছোঁ; মোক কেতিয়াও
অপমানিত হবলৈ নিদিবা। ২ তোমাৰ ধাৰ্মিকতাৰ গুণেৰে মোক উদ্ধাৰ
কৰা; মোলৈ কাণ পাতা আৰু মোক ৰক্ষা কৰা। ৩ মোৰ অৰ্থে তুমি
এনে বসতিৰ শিলা হোৱা, যি শিলালৈ মই যেন নিতৌ যাব পাৰোঁ;
তুমি মোক ৰক্ষা কৰিবলৈ এটা আজ্ঞা দিলা, কিয়নো মোৰ অৰ্থে তুমি

শিলা আৰু মোৰ দুৰ্গ। ৪ হে মোৰ ঈশ্বৰ, দুষ্টলোকৰ হাতৰ পৰা মোক
উদ্ধাৰ কৰা, অধৰ্মি আৰু নিষ্ঠুৰ জনৰ হাতৰ পৰা মোক মুক্ত কৰা। ৫
কিয়নো, হে প্ৰভু যিহোৱা, তুমি মোৰ আশা; সৰু কালৰে পৰা তুমি
মোৰ বিশ্বাসভূমি। ৬ গৰ্ভৰে পৰা মই তোমাতেই নিৰ্ভৰ কৰিছোঁ;
মোক মাতৃৰ গৰ্ভৰ পৰা উলিওৱা জনা তুমিয়েই; মই নিতৌ তোমাৰেই
প্ৰশংসা কৰিম। ৭ মই অনেকলোকৰ দৃষ্টিত এটি উদাহৰণৰ বিষয়
যেন হৈছোঁ; কিন্তু তুমি মোৰ দৃঢ় আশ্ৰয় স্থান। ৮ মোৰ মুখ তোমাৰ
প্ৰশংসাৰেই পৰিপূৰ্ণ হ'ব, আৰু ওৰে দিনটো তোমাৰ গৌৰৱ ভৰি
থাকিব। ৯ বয়সস্থ সময়ত মোক ত্যাগ নকৰিবা; মই শক্তিহীন হোৱা
সময়ত মোক নেৰিবা। ১০ কিয়নো মোৰ শত্ৰুবোৰে মোৰ বিষয়ে কথা
পাতে; তেওঁলোকে মোৰ জীৱন অনুসন্ধান কৰি একেলগে আলোচনা
কৰে। ১১ তেওঁলোকে কয়, “ঈশ্বৰে তেওঁক পৰিত্যাগ কৰিলে; খেদি
গৈ তেওঁক ধৰা, কিয়নো তাৰ উদ্ধাৰকৰ্ত্তা কোনো নাই।” ১২ হে ঈশ্বৰ,
মোৰ পৰা আঁতৰ নহবা; হে মোৰ ঈশ্বৰ, মোক সহায় কৰিবলৈ শীঘ্ৰে
আহাঁ। ১৩ মোৰ প্ৰাণৰ বিৰোধীবোৰ লজ্জিত হৈ উচ্ছন্ন হওক; মোৰ
অনিষ্ট কৰিবলৈ চেষ্টা কৰোঁতা সকলক নিন্দা আৰু অপমানেৰে ঢকা
হওক। ১৪ কিন্তু মই হ'লে, সদায় তোমাক আশা কৰি থাকিম, তোমাৰ
প্ৰশংসা আৰু অধিক অধিককৈ কৰিম। ১৫ এইয়া মোৰ বোধৰ অগম্য
হলেও, মই মুখেৰে তোমাৰ ধাৰ্মিকতাৰ কথা কম, ওৰে দিনটো তোমাৰ
পৰিত্ৰাণৰ কথা প্ৰকাশ কৰিম; ১৬ মই উপস্থিত হৈ প্ৰভু যিহোৱাৰ
মহৎ কাৰ্যবোৰ কীৰ্ত্তন কৰিম; মই কেৱল তোমাৰ ধাৰ্মিকতা, কেৱল
তোমাৰেই ধাৰ্মিকতা উল্লেখ কৰিম। ১৭ হে ঈশ্বৰ, তুমি মোক লৰালি
কালৰে পৰা শিক্ষা দি আহিছা; আৰু এতিয়ালৈকে মই তোমাৰ আচৰিত
কাৰ্যবোৰ প্ৰকাশ কৰি আহিছোঁ। ১৮ প্ৰকৃততে মোৰ বয়সস্ত অৱস্থা
আৰু চুলি পকাৰ সময়ত মোক ত্যাগ নকৰিবা, মই ভাবী-বংশৰ আগত
তোমাৰ পৰাক্ৰম ঘোষণা কৰিম; আৰু আহিবলগা সকলোকে তোমাৰ
পৰাক্ৰমৰ কথা শুনাম। ১৯ হে ঈশ্বৰ, তোমাৰ ধাৰ্মিকতা গগণস্পৰ্শী;
হে ঈশ্বৰ, মহৎ কাৰ্য কৰোঁতা যি তুমি, তোমাৰ তুল্য কোন আছে? ২০
তুমি আমাক বিষম সঙ্কট দেখুৱাইছা, তুমি আকৌ আমাক পুনৰায়

জীবিত কৰা; পৃথিবীৰ গভীৰতাৰ পৰা আমাক তুলি আনিবা। ২১ তুমি
মোৰ আত্ম-সন্মান বৃদ্ধি কৰা; পুনৰাই ঘূৰি মোক শান্ত্বনা দিয়া। ২২
হে মোৰ ঈশ্বৰ, তোমাৰ বিশ্বাসযোগ্যতাৰ স্তুতি কৰিম; হে ইস্রায়েলৰ
পবিত্ৰ জনা, মই বীণাৰে তোমাৰ উদ্দেশ্যে প্ৰশংসাৰ গান কৰিম। ২৩
মই যেতিয়া তোমাৰ উদ্দেশে প্ৰশংসাৰ গান কৰোঁ, তেতিয়া মোৰ ওঁঠ
অতিশয় আনন্দিত হয়; তুমি মুক্ত কৰা মোৰ প্ৰাণ আনন্দিত হয়। ২৪
মই তোমাৰ ধাৰ্মিকতাৰ কথা ওৰে দিনটো কৈ থাকিম; মোৰ অনিষ্টলৈ
চেষ্টা কৰোঁতাবিলাক পৰাজিত হ'ল আৰু তেওঁলোকে লাজ পাই নিন্দিত
হ'ল।

**৭২** হে ঈশ্বৰ, ৰজাক তোমাৰ শাসন-প্ৰণালীবোৰ দান কৰা, আৰু
ৰাজকোঁৱৰক তোমাৰ ধাৰ্মিকতা প্ৰদান কৰা। ২ তেওঁ ধাৰ্মিকতাৰে
ৰজাৰ প্ৰজাসকলৰ বিচাৰ কৰিব; ন্যায়েৰে তোমাৰ দুখীয়াসকলৰ
বিচাৰ কৰিব। ৩ পৰ্ব্বতবোৰে প্ৰজাসকলৰ কাৰণে শান্তি উৎপাদন
কৰিব; পাহাৰবোৰেও ধাৰ্মিকৰ্তা উৎপাদন কৰিব। ৪ তেওঁ দুখীয়া
প্ৰজাসকলৰ বিচাৰ কৰিব, অভাৱগ্ৰস্ত সন্তান সকলক ৰক্ষা কৰিব;
কিন্তু অত্যাচাৰীক টুকুৰা টুকুৰ কৰি গুৰি কৰিব। ৫ তেওঁ সূৰ্য চন্দ্ৰ
থাকেমানে থাকিব, পুৰুষানুক্ৰমে তেওঁলোকে তোমালৈ ভয় কৰিব।
৬ ঘাঁহ কাটি নিয়া মাটিৰ ওপৰত বৰষুণ পৰিলে যেনে হয়, তেওঁ
তেনেকৈয়ে ভূমি ভিজোৱা বৰষুণ জাকৰ দৰেই হয়। ৭ তেওঁৰ সময়ত
ধাৰ্মিকজন জকমকাব; যিমান দিনলৈ চন্দ্ৰ থাকিব সিমান দিনলৈকে
তেওঁলোক শান্তিত থাকিব। ৮ তেওঁলোকে এখন সমুদ্ৰৰ পৰা আন
এখন সমুদ্ৰলৈকে ৰাজ্য শাসন কৰিব, আৰু নদীৰ পৰা পৃথিবীৰ
শেষলৈকে ৰাজত্ব কৰিব। ৯ মৰুভূমিৰনিবাসীসকলে তেওঁৰ আগত
আঁঠু ল'ব; আৰু তেওঁৰ শত্ৰুবোৰে ধূলি চেলেকিব। ১০ তৰ্চীচ আৰু
দ্বীপবোৰৰ ৰজাসকলে পাৰিশ্ৰমিক শ্ৰদ্ধাঞ্জলি আনিব; চিবা আৰু চবাৰ
ৰজাসকলে উপহাৰ আনিব। ১১ এনে কি, সকলো ৰজাই তেওঁৰ
আগত প্ৰণিপাত কৰিব; আৰু সকলো জাতিৰ লোকে তেওঁৰ সেৱা
কৰিব। ১২ কিয়নো, অভাৱগ্ৰস্তসকলে কাতৰোক্তি কৰিলে তেওঁ উদ্ধাৰ
কৰিব; আৰু সহায়হীন দুখিত জনক তেওঁ ত্ৰাণ কৰিব। ১৩ তেওঁ দুখী

অভাৱগ্ৰস্তক কৃপা কৰিব; দৰিদ্ৰসকলৰ প্ৰাণ ৰক্ষা কৰিব। ১৪ অত্যাচাৰ
আৰু উপদ্ৰৱৰ পৰা তেওঁ তেওঁলোকৰ প্ৰাণ মুক্ত কৰিব; তেওঁৰ দৃষ্টিত
সেইসকলৰ তেজ বহুমূল্য হ'ব। ১৫ ৰজাসকল জীয়াই থাকিব আৰু
তেওঁলোকক চিবাৰ সোণ দান কৰা যাব; লোকসকলে নিতৌ তেওঁৰ
গুৰিত প্ৰাৰ্থনা কৰিব, ওৰে দিনটো ঈশ্বৰে তেওঁলোকক আশীৰ্ব্বাদ
কৰিব। ১৬ পৃথিবীত পৰ্ব্বতবোৰৰ টিঙত প্ৰচুৰ শস্য হ'ব; সেই শস্যৰ
ফল লিবানোনৰ জাৰণিৰ নিচিনাকৈ লৰিব; আৰু নগৰ নিবাসীসকল
পৃথিবীৰ তৃণৰ দৰে জকমকাব। ১৭ ৰজাৰ নাম চিৰস্থায়ী হ'ব; সূৰ্য
থাকেমানে তেওঁৰ নাম থাকিব; লোকসকলে তেওঁৰ পৰা আশীৰ্ব্বাদ
পাব; সকলো জাতিয়ে তেওঁক ধন্য ধন্য বুলিব। ১৮ ঈশ্বৰ যিহোৱা,
ইস্ৰায়েলৰ ঈশ্বৰ, ধন্য হওঁক; যি জন কেৱল আচৰিত কৰ্ম কৰোঁতা।
১৯ তেওঁৰ গৌৰৱ অনন্ত কাললৈকে ধন্য হওক; আৰু সমুদায় পৃথিৱী
তেওঁৰ গৌৰৱেৰে পৰিপূৰ্ণ হওঁক। আমেন আৰু আমেন। ২০ যিচয়ৰ
পুত্ৰ দায়ুদৰ প্ৰাৰ্থনাবোৰ সমাপ্ত।

**৭৩** অৱশ্যেই ঈশ্বৰ ইস্ৰায়েললৈ মঙ্গলজনক; তেওঁ শুদ্ধ চিত্তৰ
লোকসকললৈ শুভ কৰোঁতা। ২ কিন্তু মোৰ ভৰি হ'লে প্ৰায় পিছল
খাইছিল; মোৰ খোজ প্ৰায় পিছলি গৈছিল। ৩ তেতিয়া অহংকাৰী
লোকলৈ মোৰ অসূয়া জন্মিছিল; মই দুষ্টবোৰক বৰ সুখত থকা
দেখিছিলোঁ। ৪ কাৰণ তেওঁলোকে মৃত্যুৰ যন্ত্ৰণা নাপায়; কিন্তু তেওঁলোক
সুস্থ সবল হৈ থাকে। ৫ তেওঁলোকে আন মানুহে দুখ পোৱাৰ দৰে দুখ
নাপায়; অন্যলোকৰ বিপদৰ নিচিনাকৈ তেওঁলোক বিপদতো নপৰে।
৬ এই কাৰণে অহংকাৰ তেওঁলোকৰ দিঙিৰ হাৰ স্বৰূপ; অত্যাচাৰ
তেওঁলোকৰ কাৰণে শৰীৰ আবৰণ স্বৰূপ হৈছে। ৭ তেওঁলোকৰ মনৰ
অন্ধকাৰ পাপ হৈ বাহিৰ হয়; তেওঁলোকৰ মন্দ চিন্তা শেষ পৰ্যন্ত
তেওঁলোকৰ অন্তৰৰ ভিতৰত থাকে। ৮ তেওঁলোকে মহা বিদ্ৰূপেৰে
দুষ্টতাৰ কথা কয়; তেওঁলোকে অহংকাৰ কৰি ভয় দেখুৱাই আক্ৰমণ
কৰে। ৯ তেওঁলোকে স্বৰ্গৰ বিৰুদ্ধে কথা কয়; তেওঁলোকৰ জিভাই
পৃথিৱী ভ্ৰমণ কৰে। ১০ এই কাৰণে ঈশ্বৰৰ সন্তান সকল তেওঁলোকৰ
ফালে ঘূৰি যায়; গভীৰ ভাবে তেওঁলোকৰ বাক্যবোৰ পান কৰে।

১১ তেওঁলোকে কয়, “ঈশ্বৰে কেনেকৈ জানিব? কিহবলৈ গৈ আছে
তাক জানো সৰ্ব্বোপৰি জনাই জানিব?” ১২ চোৱা, তেওঁলোক দুষ্ট;
তেওঁলোকৰ মনৰ ভাব সদায় নিশ্চিন্ত, অধিক সম্পত্তি বঢ়াই থাকে। ১৩
“মই যে পাপ নকৰাকৈ নিজকে শুচি কৰি ৰাখিলোঁ; ই তেন্তে কি অৰ্থহীন
নেকি? ১৪ মই ওৰে দিনটো আঘাতিত হলোঁ; প্ৰতি ৰাতিপুৱা তুমি
মোক অপদস্থ কৰিলা।” ১৫ যদি মই এনেকুৱা কথাবোৰ কলোহেঁতেন,
তেন্তে সেয়া কোনোমতে তোমাৰ সন্তানৰ কথা নহলহেঁতেন। ১৬
এই সমস্যাৰ বিষয়ে বুজিবলৈ মই বৰ চেষ্টা কৰিছিলোঁ; কিন্তু বুজি
পাবৰ বাবে এই সমস্যাটো বহুত কঠিন আছিল। ১৭ যেতিয়া মই
ঈশ্বৰৰ মন্দিৰলৈ গলো, তাৰ পাছতহে তেওঁলোকৰ কি দশা হ'ব মই
বুজিব পাতিলোঁ। ১৮ সঁচাকৈ তুমি তেওঁলোকক পিছল খোৱা ঠাইত
থৈছা; তুমি তেওঁলোকক বিনাশৰ গাতত পেলাই তেওঁলোকৰ সৰ্বনাশ
কৰিবা। ১৯ তেওঁলোক কেনেকৈ নিমিষতে মৰুভুমিত উচ্ছন্ন হয়, নানা
আতঙ্কজনক শঙ্কাত তেওঁলোক একেবাৰে বিনষ্ট হ'ব। ২০ তেওঁলোক
এটা সপোন দেখি সাৰ পায় সপোনটো তুচ্ছ জ্ঞান কৰাৰ নিচিনাকৈ;
হে ঈশ্বৰ, যেতিয়া তুমি উঠিবা, তেতিয়া তেওঁলোকক ছায়া বুলি তুচ্ছ
জ্ঞান কৰিবা। ২১ যেতিয়া মই মনত গভীৰ দুখ পাইছিলোঁ; আৰু মোৰ
অন্তৰত আঘাত লাগিছিল, ২২ তেতিয়া মই অজ্ঞান আৰু মনৰ কল্পনা
অভাব বোধ কৰিছিলোঁ; তোমাৰ সাক্ষাতে অচেতন হোৱা পশুৰ নিচিনা
আছিলোঁ। ২৩ তথাপি মই সদায় তোমাৰ লগতে আছোঁ; তুমি মোৰ
সোঁ হাত খনত ধৰি ৰাখিলা। ২৪ তুমি তোমাৰ উপদেশেৰে মোক পথ
দেখুৱাবা, পৰবৰ্তী সময়ত মোক গৌৰৱেৰে গ্ৰহণ কৰিবা। ২৫ তোমাৰ
বাহিৰে স্বৰ্গত মোৰ কোন আছে? তোমাৰ বাহিৰে পৃথিৱীত মোৰ এনে
কোনো আশ্ৰয় নাই। ২৬ মোৰ শৰীৰ আৰু হৃদয় দুয়োটা পৰাজিত
হ'ল; কিন্তু ঈশ্বৰ চিৰকাললৈকে মোৰ মনৰ শক্তি। ২৭ কিয়নো চোৱা,
তোমাৰ পৰা দূৰৈত থকা লোকসকলৰ সৰ্বনাশ হ'ব; তোমাক এৰি
অবিশ্বাসী হোৱা সকলোকে তুমি ধ্বংস কৰিবা। ২৮ কিন্তু মোৰ পক্ষে
হলে, ঈশ্বৰৰ ওচৰ চপাই মঙ্গল; মই প্ৰভু যিহোৱাক মোৰ আশ্ৰয় স্থান
ৰূপে গ্ৰহণ কৰিলোঁ; মই তোমাৰ সকলো কাৰ্য ঘোষণা কৰিম।

**৭৪** হে ঈশ্বৰ, তুমি কিয় আমাক এইদৰে পৰিত্যাগ কৰিলা? তোমাৰ
চৰণীয়া পথাৰৰ মেৰ-ছাগ জাকৰ বিৰুদ্ধে তোমাৰ ক্ৰোধাগ্নি কিয়
জ্বলিছে? ২ তুমি পূৰ্বতে মুক্ত কৰা লোকসকলৰ উদ্দেশ্যে তোমাৰ
অধিকাৰৰ ফৈদ হ’বলৈ ক্ৰয় কৰা; আৰু তুমি নিবাস কৰা চিয়োন
পৰ্ব্বতক সোঁৱৰণ কৰা। ৩ তুমি চিৰকালৰ এই ধ্বংস-স্তূপৰ ঠাইলৈ
আগবাঢ়ি আহি চোৱা; পবিত্ৰ স্থানত শত্ৰুৱে সকলোবোৰ ভাঙি-চিঙি
চূৰ-মাৰ কৰিলে। ৪ তোমাৰ বিৰোধকাৰীয়ে তোমাৰ পবিত্ৰ স্থানৰ
মাজত গৰ্জ্জন কৰিছে; তেওঁলোকে তাত যুদ্ধৰ পতাকা সংস্থাপন
কৰিছে। ৫ ভাব হয় যেন তেওঁলোকে জাৰণিৰ গছবোৰৰ অহিতে কুঠাৰ
চলাইছিল। ৬ তেওঁলোকে নক্সা কটা আটাই কাঠবোৰ থেতাঁলি ভাঙিছে;
কুঠাৰ আৰু হাতুৰীৰে একেবাৰে ভাঙি পেলাইছে। ৭ তেওঁলোকে
তোমাৰ পবিত্ৰ স্থানত জুই লগাই দিছে; তোমাৰ নামৰ নিবাসক মাটিত
মিলাই অপবিত্ৰ কৰিলে। ৮ তেওঁলোকে নিজৰ মনতে কলে, “আমি
সকলোকে একেবাৰে ধ্বংস কৰোঁ।” তেওঁলোকে মাটিৰ ওপৰত থকা
ঈশ্বৰৰ সকলো সভা গৃহ পুৰি ভস্ম কৰিলে। ৯ আমি কোনো আলৌকিক
চিহ্ন ঈশ্বৰৰ পৰা দেখা পোৱা নাই, তাত কোনো ভাববাদীও নাই;
কিমান কাললৈকে আৰু এইদৰে হৈ থাকিব, তাক জানোতাও আমাৰ
ইয়াত কোনো নাই। ১০ হে ঈশ্বৰ, শত্ৰুৱেনো আৰু কিমান কাললৈ
তোমাক নিন্দা কৰি থাকিব? বিৰোধীতা কৰা সকলে চিৰকাললৈকে
তোমাৰ নাম তিৰস্কাৰ কৰি থাকিব নে? ১১ তুমি কিয় তোমাৰ হাতখন,
সেই তোমাৰ সোঁ হাতখন কোঁচাই ৰাখিছা? তুমি পিন্ধি থকা বস্ত্ৰৰ পৰা
সোহাঁত খন উলিওৱা আৰু তেওঁলোকক ধ্বংস কৰা। ১২ তথাপিও
ঈশ্বৰ পূৰ্বকালৰে পৰা মোৰ ৰজা; তেওঁ পৃথিৱীৰ মাজত পৰিত্ৰাণৰ
কাৰ্য কৰিছে। ১৩ তুমিয়েই নিজৰ শক্তিৰে সমুদ্ৰক দুভাগ কৰিছিলা;
তুমিয়েই সাগৰৰ পানীত থকা দৈত্যৰ মূৰ থেতাঁলি ভাঙিছিলা। ১৪
তুমিয়েই লিবিয়াথন জন্তুৰ মূৰ কেইটা গুড়ি কৰিছিলা; তুমিয়েই তাক
মৰুভূমিৰ জন্তুবোৰক আহাৰৰ বাবে দিছিলা। ১৫ তুমিয়েই পৰিত্যক্ত
অবস্থাত ভুমুক আৰু জুৰি বোৱাইছিলা; সদায় বৈ থকা নদীকো শুকুৱাই
দিছিলা। ১৬ দিন তোমাৰ, আৰু ৰাতিও তোমাৰেই; তুমিয়েই চন্দ্ৰ

আৰু সূৰ্যক নিজ নিজ স্থানত স্থাপন কৰিলা। ১৭ তুমিয়েই পৃথিবীৰ
সকলো সীমা স্থাপন কৰিলা; তুমিয়েই শীত আৰু গ্ৰীষ্ম কাল সৃজিলা।
১৮ হে যিহোৱা, তুমি পাহৰি নাযাবা শত্ৰুৱে যে তোমাক ঠাট্টা নিন্দা
কৰিছে; মূৰ্খ লোকবোৰে যে তোমাৰ নাম অনাদৰ কৰিছে। ১৯ তোমাৰ
প্ৰিয় কপৌৰ প্ৰাণ বনৰীয়া জন্তুক শোধাই নিদিবা; তোমাক অপদস্থ
কৰা সকলৰ জীৱনৰ কথা চিৰকাললৈকে নাপাহৰিবা। ২০ তোমাৰ
ব্যৱস্থা নিয়মটিলৈ দৃষ্টি কৰা; কিয়নো পৃথিৱীৰ অন্ধকাৰময় ঠাইবোৰ
অত্যাচাৰীবিলাকৰ বাসস্থানৰে ভৰি পৰিছে। ২১ উপদ্ৰৱ পোৱাবিলাক
লাজ পাই উলটি নাহক; দুখী-অভাবী লোকসকলে তোমাৰ নামৰ
প্ৰশংসা কৰক। ২২ হে ঈশ্বৰ, উঠা, তোমাৰ আত্ম-সন্মান ৰক্ষা কৰা;
মূৰ্খ ব্যক্তিয়ে ওৰে দিনটো তোমাক নিন্দা কৰিছে, তাক পাহৰি নাযাবা।
২৩ তোমাৰ শত্ৰুবোৰৰ মাত নাপাহৰিবা; তোমাৰ অহিতে নিতৌ উঠা
হুলস্থূল তুচ্ছ কৰা।

**৭৫** হে ঈশ্বৰ, আমি তোমাৰ ধন্যবাদ কৰিম; আমি তোমাৰ ধন্যবাদ
কৰিম, কিয়নো তুমি তোমাৰ উপস্থিতি প্ৰকাশ কৰিলা; লোকসকলে
তোমাৰ আচৰিত কাৰ্যবোৰ বৰ্ণনা কৰি আছে। ২ যেতিয়া নিৰুপিত
সময় উপস্থিত হব; তেতিয়া মই ন্যায়েৰে বিচাৰ কৰিম। ৩ যদিও
পৃথিৱী আৰু তাৰ বাসিন্দাসকল ভয়াতুৰ আৰু দুৰ্বল; তথাপি ময়েই তাৰ
স্তম্ভবোৰ দৃঢ়কৈ স্থাপন কৰিলোঁ। (চেলা) ৪ মই অহঙ্কাৰীবোৰক কলোঁ,
"তোমালোকে অহঙ্কাৰেৰে কাৰ্য নকৰিবা;" দুষ্টবোৰক ক'লো, "পৰিত্ৰাণ
পাবলৈ নি: সংশয় নহবা; দুষ্টবোৰ জয়ী হ'বলৈ অত্যন্ত নিশ্চিন্ত নহওক।
৫ তোমালোক জয়ী হ'বলৈ অত্যন্ত নিশ্চিন্ত নহবা; তোমালোকে গৰ্ব
কৰি কথা নকবা।" ৬ কিয়নো পূব বা পশ্চিম দিশৰ পৰা জয় লাভ
নহয়। ৭ কিন্তু ঈশ্বৰ ন্যায় বিচাৰক; কোনোক তললৈ নমায়, কোনোক
ওপৰলৈ তোলে। ৮ কিয়নো যিহোৱাৰ হাতত এক পান-পাত্ৰ আছে,
তাত মিশ্ৰিত দ্ৰব্যেৰে সৈতে পৰিপূৰ্ণ ফেনাই উঠা দ্ৰাক্ষাৰস আছে;
আৰু তেওঁ সেই পাত্ৰৰ কিছু ঢালি দিয়ে; পৃথিৱীৰ দুষ্ট লোকবোৰে
অৱশ্যেই তাৰ তলিলৈকে থকা গেদবোৰ খাব লাগিব। ৯ কিন্তু মই
হ'লে, চিৰকাললৈ তেওঁ কৰা কাৰ্যৰ প্ৰচাৰ কৰিম; মই যাকোবৰ ঈশ্বৰৰ

উদ্দেশ্যে স্তুতি গান কৰিম। ১০ তেওঁ ক’লে, “মই দুষ্ট লোকবোৰৰ
আটাই শিং কাটি পেলাম; কিন্তু ধাৰ্মিক লোকসকলৰ শিং উচ্চ কৰিম।”
**৭৬** যিহূদাৰ সকলোৱেই ঈশ্বৰক জানে; ইস্ৰায়েলৰ মাজত তেওঁৰ
নাম মহান। ২ চালেমত তেওঁৰ তম্বু আছে; চিয়োনত তেওঁৰ বসতি স্থান
আছে। ৩ তাত তেওঁ ধনুৰ কাঁড় ভাঙিলে; ঢাল তৰোৱাল আদি যুদ্ধৰ
সঁজুলি ভাঙিলে। (চেলা) ৪ তোমাৰ প্ৰতিফলিত উজ্জ্বল আৰু বিকশিত
গৌৰৱ; যি দৰে এই পৰ্ব্বতবোৰৰ পৰা নামি অহাৰ উদ্দেশ্যে, য’ত
তুমি তোমাৰ চিকাৰ আহত কৰিছিলা। ৫ এই দুঃসাহসী লোকসকলক
অপহৰণ কৰা হ’ল; তেওঁলোক ভীষণ নিদ্ৰামগ্ন হ’ল। পৰাক্ৰমীসকল
অসহায় হ’ল। ৬ হে যাকোবৰ ঈশ্বৰ; যুদ্ধ ক্ষেত্ৰৰ কান্দোনত, ৰথ চালক
আৰু ঘোঁৰা উভয়ে টোপনি গ’ল। ৭ তুমি, হয় তুমিয়েই আতঙ্কজনক;
তোমাৰ ক্ৰোধ উঠিলে কোনে তোমাৰ আগত থিয় হ’ব পাৰে? ৮
তোমাৰ ন্যায় বিচাৰ স্বৰ্গৰ পৰা হয়; পৃথিৱী আতঙ্কিত হৈ নীৰৱে আছিল।
৯ হে ঈশ্বৰ, তুমি উঠা, বিচাৰ নিস্পতি কৰা; পৃথিৱীৰ নিৰ্যাতিত সকলক
ৰক্ষা কৰিবলৈ উঠা। (চেলা) ১০ অৱশ্যে তোমাৰ ক্ৰোধ বিচাৰেই সেই
লোকসকলৰ প্ৰশংসাৰ কাৰণ হ’ব; তুমি সম্পূৰ্ণকৈ উপহাস কৰি ক্ৰোধ
সোঁৱৰণ কৰিবা। ১১ তোমালোকে নিজৰ ঈশ্বৰ যিহোৱালৈ সঙ্কল্প
কৰা, আৰু তাক সিদ্ধও কৰা; তেওঁৰ চাৰিওফালে থকা সকলোৱে
সেই আতঙ্কিত জনাৰ উদ্দেশ্যে উপহাৰ আনিব। ১২ তেওঁ ৰাজকোঁৱৰ
সকলৰ সাহস খৰ্ব কৰিব; তেওঁলোকে পৃথিবীৰ ৰজালৈ আতঙ্কিত হ’ব।
**৭৭** মই উচ্চ স্বৰেৰে ঈশ্বৰৰ আগত কাতৰোক্তি কৰিম; মই ঈশ্বৰৰ
ওচৰত উচ্চ স্বৰেৰে কাতৰোক্তি কৰিম মোৰ ঈশ্বৰে মোৰ কথা শুনিব।
২ সঙ্কটৰ সময়ত মই যিহোৱাক বিচাৰিলো; গোটেই ৰাতি মোৰ হাত
দুখন ঈশ্বৰৰ ফালে আগবঢ়াই মই প্ৰাৰ্থনা কৰিলোঁ; মই ক্লান্ত হৈ
নপৰো। মোৰ প্ৰাণে শান্ত্বনা পোৱা নাছিল। ৩ মই যেতিয়া ঈশ্বৰক
চিন্তা কৰোঁ, তেতিয়া ক্ৰন্দন কৰোঁ; মই মনতে চিন্তা কৰোঁ আৰু মোৰ
প্ৰাণ নিৰাশ হৈ পৰে। (চেলা) ৪ তুমিয়েই টোপনি যোৱাৰ পৰা মোৰ
চকুৰ পিৰিকতিক মেলি ৰাখিলা; মই অতিশয় যাতনাত আছিলোঁ আৰু
সেয়ে কথাও কব পৰা নাছিলো। ৫ মই অতীতৰ কথাবোৰ চিন্তা

কৰিছিলোঁ; অনেক অনেক বছৰৰ আগৰ কথা মই চিন্তা কৰিছিলোঁ।
৬ ৰাতিৰ সময়ত মই গোৱা গীতবোৰৰ বিষয়ে মোৰ মনত পৰে;
ৰাতি মই মোৰ হৃদয়ত গভীৰ ভাৱে চিন্তা কৰিছিলোঁ; মই মনতে
চিন্তা কৰোঁ আৰু মোৰ প্ৰাণে যি ঘটিল তাক বুজিবলৈ চেষ্টা কৰে; ৭
“যিহোৱাই মোক চিৰকালৰ বাবে ত্যাগ কৰিব নেকি? তেওঁ মোক পুনৰ
কেতিয়াও দয়া নকৰিব নেকি? ৮ তেওঁৰ গভীৰ প্ৰেম চিৰদিনৰ কাৰণে
শেষ হৈ গ'ল নেকি? তেওঁৰ প্ৰতিজ্ঞাবোৰো চিৰদিনৰ বাবে বিফল
হৈ গ'ল নেকি? ৯ ঈশ্বৰে কৃপা কৰিবলৈ পাহৰি গ'ল নেকি? তেওঁ
খঙতে নিজৰ মমতাকো বন্ধ কৰি দিলে নেকি? (চেলা) ১০ মই কলোঁ,
“মোৰ এইটোৱে দুখ যে সৰ্ব্বোপৰি জনাৰ সোঁ হাত সলনি হৈছে।” ১১
যিহোৱাই কৰা সকলো কাৰ্যৰ কথা মই সোঁৱৰিম; পূৰ্ব কালত তুমি
কৰা আচৰিত কৰ্মবোৰ মই সোঁৱৰণ কৰিম। ১২ তোমাৰ সকলো
কাৰ্যৰ বিষয়ে মই ধ্যান কৰিম; তোমাৰ মহৎ কাৰ্যবোৰ গভীৰ ভাৱে
চিন্তা কৰিম। ১৩ হে ঈশ্বৰ, তোমাৰ পথ পবিত্ৰ; আমাৰ ঈশ্বৰৰ তুল্য
জানো কোনো মহান ঈশ্বৰ আছে? ১৪ তুমিয়েই সেই আচৰিত কৰ্ম
কৰোঁতা ঈশ্বৰ; সকলো জাতিৰ মাজত তুমি তোমাৰ পৰাক্ৰমৰ পৰিচয়
দিছা। ১৫ তুমি যাকোব আৰু যোচেফৰ বংশৰ সন্তান সকলক তোমাৰ
শক্তিশালী হাতৰ বাহুৰে মুক্ত কৰিলা। (চেলা) ১৬ হে ঈশ্বৰ, সমুদ্ৰৰ
জল সমূহে তোমাক দেখিলে; জল সমূহে তোমাক দেখি ভয় খালে;
তাৰ গভীৰতা পৰ্যন্ত কঁপি উঠিল। ১৭ মেঘে জলৰাশিক তললৈ ঢালি
দিলে; আকাশত বজ্ৰই গৰ্জ্জন কৰিলে; তোমাৰ বিদ্যুতৰ কাঁড়বোৰ
ইফালে সিফালে চমকিব ধৰিলে। ১৮ বা'মাৰলী বতাহত তোমাৰ বজ্ৰৰ
ধ্বনি শুনা গ'ল; তোমাৰ বিজুলিৰ চমকে পৃথিৱী আলোকময় কৰিলে;
পৃথিৱী কঁপি উঠিল আৰু জোকাৰ খালে। ১৯ সমুদ্ৰৰ মাজত তোমাৰ
পথ আছিল; মহাজলৰাশিৰ মাজত তোমাৰ বাট আছিল; কিন্তু তোমাৰ
ভৰিৰ চিহ্ন তাত দেখা নগল। ২০ মোচি আৰু হাৰোণৰ হতুৱাই মেৰ-
ছাগৰ জাকৰ দৰে তুমি তোমাৰ লোকসকলক চলাই লৈ গৈছিলা।

**৭৮** হে মোৰ লোকসকল তোমালোকে মোৰ শিক্ষালৈ কাণ দিয়া;
মোৰ মুখৰ কথালৈ কাণ পাতা। ২ মই দৃষ্টান্তৰে সৈতে মোৰ মুখ

মেলিম; মই পূৰ্বকালৰ নিগূঢ় বিষয়বোৰ প্ৰকাশ কৰিম। ৩ এই যি যি
কথা আমি শুনিলো আৰু জানিলোঁ, আমাৰ পূৰ্বপুৰুষসকলে আমাৰ
ওচৰত সেইবোৰ কথা বৰ্ণনা কৰি গৈছে। ৪ তেওঁলোকৰ বংশৰ
সন্তান সকলৰ পৰা আমি সেইবোৰ লুকুৱাই নাৰাখিম; আমি ভাবী
প্ৰজন্মৰ ওচৰত যিহোৱাৰ গৌৰৱপূৰ্ণ কাৰ্যবোৰৰ কথা ক'ম; তেওঁৰ
পৰাক্ৰমৰ কথা আৰু তেওঁ যি সকলো আচৰিত কাৰ্য কৰিলে, সেই
সকলো কথা ক'ম। ৫ কিয়নো তেওঁ যাকোবৰ বংশৰ মাজত এক
আজ্ঞা জাৰি কৰি বিধি স্থাপন কৰিলে, ইস্ৰায়েল জাতিৰ কাৰণে এক
ব্যৱস্থা নিৰূপিত কৰিলে; তেওঁ আমাৰ পূৰ্বপুৰুষসকলক সেই ব্যৱস্থাৰ
বিষয়ে নিজৰ ল'ৰা-ছোৱালীবোৰক শিক্ষা দিবলৈ আজ্ঞা দিলে। ৬
যাতে ভাবী-বংশৰ সন্তান সকলে, যিসকলে এতিয়াও জন্ম গ্ৰহণ
কৰা নাই, তেওঁলোকেও সেইবোৰ জানিব পাৰে আৰু তেওঁলোকে
উঠি নিজ নিজ সন্তান সকলৰ আগত সেইবোৰ বৰ্ণনা কৰিব পাৰে।
৭ তেতিয়াহে তেওঁলোকে ঈশ্বৰত ভৰসা কৰিব, তেওঁৰ কাৰ্যবোৰ
তেওঁলোকে নাপাহৰিব, কিন্তু তেওঁৰ আজ্ঞাবোৰ পালন কৰিব। ৮
তাতে তেওঁলোক নিজ পূৰ্বপুৰুষসকলৰ দৰে জেদী আৰু বিদ্ৰোহী বংশ
নহ'ব; সেই পূৰ্বপুৰুষসকলৰ অন্তৰ ঈশ্বৰৰ প্ৰতি স্থিৰ নাছিল আৰু মনো
সমৰ্পিত আৰু বিশ্বস্ত নাছিল। ৯ ইফ্ৰয়িমৰ বংশৰ সন্তান সকল যদিও
ধনুৰ্দ্ধৰত সজ্জিত আছিল, কিন্তু যুদ্ধৰ দিনা পিছ হুঁহুকি আহিছিল। ১০
তেওঁলোকে ঈশ্বৰৰ নিয়মটি পালন নকৰিলে, তেওঁৰ ব্যৱস্থাত চলিবলৈ
অস্বীকাৰ কৰিলে। ১১ তেওঁ যি যি কাৰ্য কৰিছিল, তাক তেওঁলোকে
পাহৰি গ'ল। তেওঁলোকৰ আগত দেখুউৱা তেওঁৰ আচৰিত কৰ্মবোৰ
তেওঁলোকে পাহৰি গ'ল। ১২ ইস্ৰায়েলীয়াসকলৰ পূৰ্বপুৰুষসকলৰ চকুৰ
সন্মুখতে তেওঁ আচৰিত কৰ্মবোৰ কৰিছিল; মিচৰ দেশত আৰু চোৱনৰ
পথাৰত তেওঁ সেইবোৰ কৰিছিল। ১৩ তেওঁ সমুদ্ৰক দুভাগ কৰি তাৰ
মাজেদি তেওঁলোকক পাৰ কৰিলে, তেওঁ জল সমূহক দম কৰাৰ
দৰে থিয় কৰিলে। ১৪ দিনত মেঘৰ দ্বাৰাই আৰু গোটেই ৰাতি অগ্নিৰ
দীপ্তিৰে তেওঁ তেওঁলোকক পথ দেখুৱালে। ১৫ মৰুভূমিত শিলবোৰ
ফালি মাটিৰ গভীৰ ভাগৰ পৰা তেওঁ তেওঁলোকক পান কৰিবলৈ

প্ৰচুৰ পানী দিলে। ১৬ তেওঁ শিলৰ পৰা পানীৰ সোঁত বাহিৰ কৰি
আনিলে, সেই পানী তেওঁ নদীৰ নিচিনাকৈ বোৱাই দিলে। ১৭ কিন্তু
তেওঁলোকে তেওঁৰ বিৰুদ্ধে পাপ কৰিয়েই থাকিল, সৰ্ব্বোপৰি ঈশ্বৰৰ
বিৰুদ্ধে মৰুভূমিত বিদ্ৰোহ আচৰণ কৰিলে। ১৮ তেওঁলোকৰ ইচ্ছা
অনুসাৰে আহাৰ দাবী কৰি, তেওঁলোকে নিজ নিজ মনতেই ঈশ্বৰক
পৰীক্ষা কৰিলে। ১৯ তেওঁলোকে ঈশ্বৰৰ বিৰুদ্ধে এই কথা ক'লে,
"ঈশ্বৰে জানো মৰুভূমিৰ মাজত আহাৰ দি মেজ সজাব পাৰে? ২০
তেওঁ শিলক প্ৰহাৰ কৰিলে আৰু তাৰ পৰা উপচি পৰাকৈ পানীৰ সোঁত
ওলাই আহিল; সেই বুলি জানো তেওঁ আমাক আহাৰো দিব পাৰে?
তেওঁ জানো নিজৰ লোকসকলৰ কাৰণে মাংস যোগাব পাৰে?" ২১ এই
কথা শুনি যিহোৱাৰ খং জ্বলি উঠিল; যাকোবৰ বিৰুদ্ধে তেওঁৰ অন্তৰৰ
জুই জ্বলি উঠিল; ইস্ৰায়েলৰ বিৰুদ্ধে তেওঁৰ ক্ৰোধ জাগি উঠিল; ২২
কাৰণ ঈশ্বৰৰ ওপৰত তেওঁলোকৰ বিশ্বাস নাছিল; তেওঁত যে পৰিত্ৰাণ
আছে, সেই কথাত তেওঁলোকে নিৰ্ভৰ নকৰিলে। ২৩ তথাপিও তেওঁ
ওপৰত থকা আকাশমণ্ডলক আজ্ঞা দিলে আৰু আকাশৰ দুৱাৰবোৰ
মুকলি কৰিলে। ২৪ লোকসকলে খাবৰ কাৰণে তেওঁ বৰষুণৰ দৰে
মান্না বৰষালে, স্বৰ্গৰ শস্য তেওঁলোকক দিলে। ২৫ মনুষ্যই স্বৰ্গদূতৰ
আহাৰ ভোজন কৰিলে; তৃপ্তিৰে ভোজন কৰিব পৰাকৈ তেওঁ প্ৰচুৰ
আহাৰ তেওঁলোকলৈ পঠাই দিলে। ২৬ তেওঁ আকাশৰ পৰা পূবৰ বতাহ
বলালে; তেওঁ নিজৰ পৰাক্ৰমেৰে দক্ষিণৰ বতাহক চলালে। ২৭ তেওঁ
ধুলিকণাৰ নিচিনাকৈ তেওঁলোকৰ ওপৰত মাংসৰ বৰষুণ বৰষালে,
সাগৰৰ বালিৰ নিচিনাকৈ পাখি লগা চৰাইৰ বৰষুণ বৰষালে; ২৮
তেওঁলোকৰ ছাউনিৰ মাজত, তেওঁলোকৰ নিবাসৰ চাৰিওফালে তেওঁ
সেইবোৰক পৰিবলৈ দিলে। ২৯ তেওঁলোকে সেই আহাৰ খাই তৃপ্ত হ'ল;
তেওঁলোকে যি বিচাৰিছিল, তেওঁ তেওঁলোকক তাকে দিলে। ৩০ কিন্তু
তেওঁলোকৰ সেই আহাৰ খোৱা শেষ নহওঁতেই, এনেকি, তেওঁলোকৰ
আহাৰ মুখত থকাৰ সময়তেই ৩১ ঈশ্বৰৰ ক্ৰোধ তেওঁলোকৰ বিৰুদ্ধে
জাগি উঠিল; তেওঁলোকৰ মাজৰ হৃষ্টপুষ্ট লোকসকলক তেওঁ সংহাৰ
কৰিলে, ইস্ৰায়েলৰ ডেকাসকলক তেওঁ মাৰি পেলালে। ৩২ তথাপিও

তেওঁলোকে পাপ কৰিয়েই থাকিল, তেওঁৰ আচৰিত কৰ্মত বিশ্বাস
নকৰিলে। ৩৩ সেইবাবে তেওঁ তেওঁলোকৰ দিনবোৰ উশাহৰ দৰে
ছুটি কৰিলে, তেওঁলোকৰ বছৰবোৰ ত্ৰাসপূৰ্ণ কৰিলে। ৩৪ তেওঁ
তেওঁলোকক বধ কৰাৰ পাছত বাকী লোকসকলে তেওঁক বিচাৰিলে;
তেওঁলোকে মন পালটালে আৰু আগ্ৰহেৰে সৈতে তেওঁক বিচাৰিলে। ৩৫
তেওঁলোকে সোঁৱৰণ কৰিলে যে, ঈশ্বৰ তেওঁলোকৰ শিলা, সৰ্ব্বোপৰি
ঈশ্বৰেই তেওঁলোকৰ মুক্তিদাতা। ৩৬ কিন্তু তেওঁলোকে মুখৰ ছলনাৰে
ভালৰি বোলালে, জিভাৰে তেওঁৰ আগত মিছা কথা ক'লে, ৩৭
তেওঁলোকৰ অন্তৰ তেওঁৰ প্ৰতি স্থিৰ নাছিল, তেওঁৰ ব্যৱস্থাৰ প্ৰতি
তেওঁলোক বিশ্বাসী নাছিল। ৩৮ তথাপিও তেওঁ দয়াৰে পৰিপূৰ্ণ হোৱাত
তেওঁলোকৰ অপৰাধ ক্ষমা কৰিলে, তেওঁলোকক ধ্বংস নকৰিলে;
এনে কি তেওঁ অনেকবাৰ নিজৰ ক্ৰোধ দমন কৰিছিল আৰু তেওঁৰ
সম্পূৰ্ণ ক্ৰোধ জাগি নুঠিল। ৩৯ তেওঁলোক যে মনুষ্য মাথোন তাক
তেওঁ সোঁৱৰণ কৰিলে; তেওঁলোক বৈ যোৱা বতাহৰ দৰে, যি পুনৰ
ঘূৰি নাহে। ৪০ মৰুভূমিত তেওঁলোকে বহুবাৰ তেওঁৰ বিৰুদ্ধে বিদ্ৰোহ
আচৰণ কৰিলে! সেই মৰুভূমিতে কিমানবাৰ যে তেওঁক বেজাৰ দিলে!
৪১ বাৰে বাৰে তেওঁলোকে ঈশ্বৰক পৰীক্ষা কৰিলে, ইস্ৰায়েলৰ পবিত্ৰ
ঈশ্বৰ জনাক অসন্তুষ্ট কৰিলে। ৪২ তেওঁলোকে তেওঁৰ শক্তিৰ কথা
মনত নাৰাখিলে, মনত নাৰাখিলে সেই দিনৰ কথা- যিদিনা তেওঁ
তেওঁলোকক শত্ৰুৰ হাতৰ পৰা মুক্ত কৰিছিল; ৪৩ যি দিনা তেওঁ মিচৰ
দেশত নানা চিন আৰু চোৱনৰ পথাৰত আচৰিত কৰ্ম দেখুৱাইছিল। ৪৪
সেইদিনা তেওঁলোকৰ নদীবোৰৰ পানী তেওঁ তেজত পৰিণত কৰিছিল,
যাতে তেওঁলোকে সেই সুঁতিবোৰৰ পানী পান কৰিব নোৱাৰে। ৪৫
তেওঁলোকৰ মাজলৈ তেওঁ জাকে জাকে ডাঁহ পঠাইছিল, সেইবোৰে
তেওঁলোকক গ্ৰাস কৰিলে; তেওঁ ভেকুলীৰ জাকবোৰ পঠালে আৰু
সেইবোৰে তেওঁলোকৰ সৰ্বনাশ কৰিলে। ৪৬ তেওঁলোকৰ শস্যবোৰ
তেওঁ ফৰিঙক দিলে আৰু তেওঁলোকৰ শ্ৰমৰ ফল কাকতি ফৰিঙক
দিলে। ৪৭ তেওঁ শিলাবৃষ্টিৰ দ্বাৰাই তেওঁলোকৰ দ্ৰাক্ষালতা নষ্ট কৰিলে,
আৰু বৰ বৰ শিলাবৃষ্টিৰ দ্বাৰাই তেওঁলোকৰ ডিমৰু গছবোৰ ধ্বংস

কৰিলে। ৪৮ তেওঁ শিলাবৃষ্টিৰ মাজত তেওঁলোকৰ পশুবোৰ এৰি দিলে,
বজ্রপাতৰ মাজত তেওঁলোকৰ পশুৰ জাকবোৰ শোধাই দিলে। ৪৯
তেওঁ তেওঁলোকৰ বিৰুদ্ধে তেওঁৰ জ্বলন্ত অগ্নিময় খং, ক্ৰোধ, উন্মত্ততা
আৰু দুখ-কষ্ট পঠাই দিলে; সেইবোৰ হ'ল ধ্বংসৰ কাৰ্যত নিযুক্ত দূতৰ
দল। ৫০ তেওঁ নিজৰ ক্ৰোধৰ কাৰণে পথ যুগুত কৰিলে; তেওঁ মৃত্যুৰ
পৰা তেওঁলোকক ৰেহাই নিদিলে, কিন্তু মহামাৰীৰ হাতত তেওঁলোকৰ
জীৱন শোধাই দিলে। ৫১ তেওঁ মিচৰ দেশৰ প্ৰত্যেকজন প্ৰথমে
জন্মা পুৰুষ সন্তানক আঘাত কৰিলে, হাম বংশৰ তম্বুত তেওঁলোকৰ
শক্তিৰ প্ৰত্যেকজন প্ৰথম ফলক আঘাত কৰিলে। ৫২ তাৰ পাছত
তেওঁ নিজৰ লোকসকলক মেৰ-ছাগৰ দৰে বাহিৰ কৰি আনিলে আৰু
মৰুভূমিৰ মাজেদি মেৰ-ছাগৰ জাকৰ দৰে তেওঁলোকক চলালে। ৫৩
তেওঁ তেওঁলোকক নিৰাপদে, কোনো ভয় নথকাকৈ চলাই আনিলে;
কিন্তু সাগৰে তেওঁলোকৰ শত্রুবোৰক ঢাকিলে। ৫৪ তেওঁ তেওঁৰ
পবিত্ৰ ভূমিৰ সীমালৈ তেওঁলোকক লৈ আনিলে; যি দেশ তেওঁৰ
সোহাঁতে অধিকাৰ কৰিলে, সেই পৰ্বতীয়া দেশলৈ তেওঁ তেওঁলোকক
লৈ আনিলে। ৫৫ তেওঁ তেওঁলোকৰ সন্মূখৰ পৰা আন জাতিবোৰক
দূৰ কৰিলে; সেই জাতিবোৰৰ ভূমি জৰীপ কৰি তেওঁ তেওঁলোকক
আধিপত্য ভাগ-বাঁটি দিলে; আৰু ইস্ৰায়েলৰ ফৈদবিলাকক নিজ নিজ
তম্বুত বাস কৰালে। ৫৬ কিন্তু তথাপিও তেওঁলোকে সৰ্ব্বোপৰি
ঈশ্বৰক পৰীক্ষা কৰি তেওঁৰ বিৰুদ্ধে বিদ্ৰোহ কৰিলে; তেওঁলোকে
তেওঁৰ আজ্ঞাবোৰ পালন নকৰিলে। ৫৭ তেওঁলোকৰ পূৰ্বপুৰুষসকলৰ
দৰেই তেওঁলোকে সঠিক পথৰ পৰা আতৰি গৈ বিশ্বাস-ঘাতকতা
কৰিলে; ক্ৰটিপূৰ্ণ ধনুৰ কাঁড়ৰ দৰে তেওঁলোক বেকা দিশে গ'ল। ৫৮
তেওঁলোকে ওখ ঠাইৰ মঠবোৰৰ দ্বাৰাই তেওঁক ক্ৰোধিত কৰিলে;
তেওঁলোকে প্ৰতিমাবোৰৰ দ্বাৰাই তেওঁৰ হিংসা জগাই তুলিলে। ৫৯
এই সকলো দেখি-শুনি ঈশ্বৰে ক্ৰোধ কৰিলে; তেওঁ ইস্ৰায়েলক সম্পূৰ্ণ
ভাৱে অগ্ৰাহ্য কৰিলে। ৬০ চীলো নগৰত তেওঁৰ যি আবাস-তম্বু
আছিল তাক তেওঁ ত্যাগ কৰিলে; মনুষ্যৰ মাজত তেওঁ যি তম্বু স্থাপন
কৰিছিল তাক তেওঁ পৰিত্যাগ কৰিলে। ৬১ নিজৰ সামৰ্থ্যক তেওঁ

বন্দী-অৱস্থাত আৰু নিজৰ গৌৰৱক তেওঁ শত্ৰুৰ হাতত শোধাই দিলে।
৬২ তেওঁৰ লোকসকলক তেওঁ তৰোৱালৰ হাতত সমৰ্পণ কৰিলে; আৰু
নিজৰ লোকসকলৰ ওপৰত ক্ৰোধ প্ৰকাশ কৰিলে। ৬৩ তেওঁলোকৰ
যুৱকসকলক অগ্নিৰে দগ্ধ কৰিলে; তেওঁলোকৰ ছোৱালীবোৰৰ বিবাহ
নহল। ৬৪ তৰোৱালৰ আঘাতত তেওঁলোকৰ পুৰোহিতসকলৰ মৃত্যু
হ'ল, তেওঁলোকৰ বিধৱাসকলে শোক প্ৰকাশ কৰিব নোৱাৰিলে। ৬৫
তেতিয়া প্ৰভু টোপনিৰ পৰা সাৰ পোৱা মানুহৰ দৰে হ'ল; দ্ৰাক্ষাৰস
পান কৰি চিঞৰ-বাখৰ কৰা বীৰ যোদ্ধাৰ নিচিনাকৈ জাগি উঠিল। ৬৬
তেওঁৰ শত্ৰুবোৰক তেওঁ পিছলৈ আঁতৰাই দিলে; তেওঁ তেওঁলোকক
চিৰকলীয়া অপমানত পেলালে। ৬৭ পাছত তেওঁ যোচেফৰ বংশক
অগ্ৰাহ্য কৰিলে; ইফ্ৰয়িম ফৈদক তেওঁ মনোনীত নকৰিলে; ৬৮ কিন্তু
তেওঁ যিহূদা ফৈদক মনোনীত কৰিলে, সেই চিয়োন পৰ্বত, যাক তেওঁ
ভাল পালে। ৬৯ তাত তেওঁৰ পবিত্ৰ গৃহটি ওখ আকাশ চুব পৰাকৈ
নিৰ্মাণ কৰিলে, তেওঁ পৃথিবীৰ নিচিনাকৈ অনন্ত কাললৈকে তাক স্থাপন
কৰিলে। ৭০ তেওঁ নিজ দাস দায়ূদক মনোনীত কৰিলে, তেওঁ তেওঁক
মেৰ-ছাগৰ গঁৰালৰ পৰা আনিলে। ৭১ গাখীৰ দিয়া মেৰ-ছাগৰ জাক
প্ৰতিপালন কৰা কামৰ পৰা তেওঁক লৈ আনিলে, যাতে তেওঁ যিহোৱাৰ
লোকসকলক অৰ্থাৎ যাকোবৰ বংশক, যি সকল তেওঁৰ আধিপত্য সেই
ইস্ৰায়েল জাতিক চৰাব পাৰে। ৭২ দায়ূদে তেওঁৰ অন্তৰৰ সততাৰে
তেওঁলোকক লালন-পালন কৰিলে; তেওঁ নিজৰ নিপুণ হাতৰ দ্বাৰাই
তেওঁলোকক চলালে।

**৭৯** হে ঈশ্বৰ, আন জাতিবোৰে আহি তোমাৰ আধিপত্যত সোমাল;
তেওঁলোকে তোমাৰ পবিত্ৰ মন্দিৰ অশুচি কৰিলে; তেওঁলোকে
যিৰূচালেমক ধ্বংসৰ স্তূপ কৰিলে। ২ তোমাৰ দাসবোৰৰ মৰা শৰবোৰ
তেওঁলোকে আকাশৰ পক্ষীবোৰক আহাৰ স্বৰূপে খাবলৈ দিলে; তোমাৰ
ভক্তসকলৰ মাংস পৃথিৱীৰ বনৰীয়া পশুবোৰক দিলে। ৩ যিৰূচালেমৰ
চাৰিওফালে তেওঁলোকে সেই লোকসকলৰ তেজ পানীৰ দৰে ঢালি
দিলে; তেওঁলোকক মৈদাম দিবলৈ কোনো নাছিল। ৪ চুবুৰীয়া
জাতিবোৰৰ আগত আমি নিন্দাৰ পাত্ৰ হৈছোঁ; আমাৰ চাৰিওফালৰ

লোকসকলৰ আগত আমি হাঁহিয়াতৰ আৰু বিদ্রূপৰ খোৰাক হৈছোঁ।
৫ হে যিহোৱা, আৰু কিমান কাল? তুমি চিৰকাললৈ ক্ৰোধ কৰি
থাকিবানে? তোমাৰ হিংসুক অন্তৰ্জ্বালা অগ্নিৰ দৰে কিমান কাললৈকে
জ্বলি থাকিব? ৬ তোমাক নজনা জাতিবোৰৰ ওপৰত তোমাৰ ক্ৰোধ
ঢালি দিয়া, তোমাৰ নামেৰে প্ৰাৰ্থনা নকৰা ৰাজ্যবোৰৰ ওপৰত তোমাৰ
ক্ৰোধ বাকি দিয়া। ৭ কিয়নো তেওঁলোকেই যাকোবৰ বংশক গ্ৰাস
কৰিলে, তেওঁৰ বাসস্থান উচ্ছন্ন কৰিলে। ৮ আমাৰ পূৰ্বপুৰুষসকলৰ
অপৰাধবোৰক তুমি আমাৰ অহিতে সোঁৱৰণ নকৰিবা; শীঘ্ৰে তোমাৰ
দয়া আমাৰ ওচৰলৈ আহিবলৈ দিয়া, কিয়নো আমি অতিশয় হীন-
অৱস্থাত পৰিছোঁ। ৯ হে আমাৰ পৰিত্ৰাণকৰ্তা ঈশ্বৰ, তোমাৰ নামৰ
গৌৰৱৰ কাৰণে আমাক সহায় কৰা; তোমাৰ নামৰ কাৰণে আমাক
উদ্ধাৰ কৰা আৰু আমাৰ পাপবোৰ ক্ষমা কৰা। ১০ আন জাতিবোৰে
কিয় ক'ব, "সিহঁতৰ ঈশ্বৰ ক'ত গ'ল?" তুমি আমাৰ চকুৰ সন্মুখতে
জাতিবোৰৰ ওপৰত, তোমাৰ দাসবোৰৰ ৰক্তপাতৰ প্ৰতিকাৰ তুমি
সাধিবা। ১১ বন্দীবোৰৰ কাতৰোক্তি তোমাৰ আগলৈ আহঁক; যি
সকলৰ ওপৰত মৃত্যুদণ্ডৰ ৰায় দিয়া হৈছে, তোমাৰ মহান ক্ষমতা
অনুসাৰে তুমি তেওঁলোকক ৰক্ষা কৰা। ১২ হে প্ৰভু, আমাৰ প্ৰতিবেশী
জাতিবোৰে যিভাৱে তোমাক অপমান কৰিছে, তাৰ সাত গুণ প্ৰতিফল
তুমি তেওঁলোকৰ বুকুত উভটাই দিয়া। ১৩ তাতে তোমাৰ লোক আৰু
চৰণীয়া পথাৰৰ মেৰ-ছাগ যি আমি, আমি চিৰকাল তোমাৰ ধন্যবাদ
কৰিম, আৰু পুৰুষানুক্ৰমে তোমাৰেই প্ৰশংসা কৰিম।

**৮০** হে ইস্ৰায়েলৰ ৰখীয়া, কাণ পাতা; তুমি যোচেফৰ বংশক মেৰ-
ছাগৰ জাকৰ দৰে চলাই আনিছা! তুমি কৰূববোৰৰ ওপৰত বহি,
আমাৰ ওপৰত তোমাৰ দীপ্তি প্ৰকাশ কৰিছা! ২ তুমি ইফ্ৰয়িম,
বিন্যামীন আৰু মনচি ফৈদৰ সন্মুখত তোমাৰ পৰাক্ৰম জগাই তোলা,
আমাক উদ্ধাৰ কৰিবলৈ আহাঁ। ৩ হে ঈশ্বৰ, তুমি আমাৰ অৱস্থাৰ
পৰিৱৰ্ত্তন কৰা; আমাৰ ওপৰত তোমাৰ মুখ উজ্জ্বল কৰা, যাতে আমি
উদ্ধাৰ পাব পাৰোঁ। ৪ হে বাহিনীবোৰৰ ঈশ্বৰ যিহোৱা, তোমাৰ
লোকসকলৰ প্ৰাৰ্থনাত, তুমি কিমান কাললৈ ক্ৰোধ কৰি থাকিবা? ৫

তুমি তেওঁলোকক চকুলোৰ আহাৰ খাবলৈ দিলা, আৰু প্ৰচুৰ পৰিমাণে
চকুৰ পানী পান কৰিবলৈ দিলা। ৬ তুমি আমাক এনে কাৰণ কৰিলা
যাতে আমাৰ প্ৰতিবেশী জাতিবোৰে আমাক লৈ বিবাদ কৰে। আমাৰ
শত্ৰুবোৰে আমাক লৈ নিজৰ মাজত হাঁহি-তামাচা কৰে। ৭ হে
বাহিনীবোৰৰ ঈশ্বৰ, আমাৰ অৱস্থাৰ পৰিৱৰ্ত্তন কৰা; আমাৰ ওপৰত
তোমাৰ মুখ উজ্জ্বল কৰা, যাতে আমি উদ্ধাৰ পাব পাৰোঁ। ৮ তুমি
মিচৰৰ পৰা এজোপা দ্ৰাক্ষালতাৰ দৰে আমাক তুলি আনিলা; আন
জাতিবোৰক খেদাই দি তুমি তাক ৰোপন কৰিলা। ৯ তুমি তাৰ কাৰণে
ভূমি পৰিস্কাৰ কৰিলা; তাতে দ্ৰাক্ষালতাই দকৈ শিপা ধৰি দেশখনকে
জুৰিলে। ১০ তাৰ ছাঁয়াত পাহাৰ-পৰ্ব্বতবোৰ ঢাক খাই গ'ল; তাৰ
ডালবোৰে বৃহৎ এৰচ গছবোৰ ঢাকি পেলালে; ১১ সমুদ্ৰলৈকে ইয়াৰ
শাখাবোৰ আৰু ফৰাৎ নদী পৰ্যন্ত ইয়াৰ অঙ্কুৰবোৰ বিস্তাৰিত হ'ল। ১২
তেন্তে কিয় তুমি তাৰ দেৱাল ভাঙি পেলালা? সেয়ে আটাই বাটৰুৱাই
তাৰ ফল ছিঙে। ১৩ বনৰ বৰাহে আহি তাক নষ্ট কৰে; পথাৰৰ
পশুবোৰেও তাক খায়। ১৪ হে বাহিনীবোৰৰ ঈশ্বৰ, তুমি উলটি আহাঁ;
স্বৰ্গৰ পৰা তুমি তললৈ দৃষ্টি কৰা আৰু এই দ্ৰাক্ষালতাৰ দেখ-ভাল
কৰা, ১৫ যি পুলি গছক তুমি নিজৰ সোঁ হাতেৰে ৰোপন কৰিলা; যাৰ
অঙ্কুৰবোৰক তুমি বৃদ্ধি কৰিলা। ১৬ সেই গছ জুইত পোৰা হ'ল, তাক
কাটি পেলোৱা হৈছে; তোমাৰ শত্ৰুবোৰ তোমাৰ মুখৰ ধমকিত বিনষ্ট
হওঁক। ১৭ কিন্তু তোমাৰ সোঁ হাতৰ লোকৰ ওপৰত তুমি নিজৰ হাত
ৰাখা; হাত ৰাখা সেই মনুষ্য পুত্ৰৰ ওপৰত যাক তুমি নিজৰ কাৰণে
শক্তিশালী কৰিলা। ১৮ তাতে আমি কেতিয়াও তোমাৰ ওচৰৰ পৰা
উলটি নাযাম; তুমি আমাক পুনৰ জীৱন দিয়া, আমি তোমাৰ নামত
নিবেদন কৰিম। ১৯ হে বাহিনীবোৰৰ ঈশ্বৰ, আমাৰ অৱস্থাৰ পৰিৱৰ্ত্তন
কৰা; আমাৰ ওপৰত তোমাৰ মুখ উজ্জ্বল কৰা, যাতে আমি উদ্ধাৰ পাব
পাৰোঁ।

**৮১** আমাৰ বল স্বৰূপ ঈশ্বৰৰ উদ্দেশ্যে তোমালোকে উচ্চস্বৰেৰে গান
কৰা; যাকোবৰ ঈশ্বৰৰ উদ্দেশ্যে আনন্দৰ ধ্বনি কৰা। ২ গীত আৰম্ভ
কৰা, খঞ্জৰী বজোৱা; নেবলেৰে সৈতে মধুৰ বীণা বজোৱা। ৩ ন-

জোনৰ দিনা আৰু পূৰ্ণিমাত আমাৰ উৎসৱৰ দিনা শিঙা বজোৱা।
৪ কিয়নো এয়ে হৈছে ইস্ৰায়েলৰ বাবে এক বিধি আৰু যাকোবৰ
ঈশ্বৰে দিয়া এক আজ্ঞা। ৫ যেতিয়া তেওঁ মিচৰ দেশৰ বিৰুদ্ধে ওলাই
গৈছিল, তেতিয়া তেওঁ যোচেফৰ বংশৰ কাৰণে এই উৎসৱ সাক্ষী
ৰূপে স্থাপন কৰিলে। মই আগেয়ে নজনা এনে এটি মাত শুনিলো:
৬ "মই তেওঁৰ কান্ধৰ পৰা বোজাৰ ভাৰ আঁতৰাই দিলোঁ; পাচি বৈ
নিয়াৰ পৰা তেওঁৰ হাত মুক্ত হ'ল। ৭ তুমি সঙ্কটৰ কালত প্ৰাৰ্থনা
কৰাত, মই তোমাক উদ্ধাৰ কৰিলোঁ; মেঘ গৰ্জনৰ শব্দৰ গুপ্ত স্থানৰ
পৰা মই তোমাক উত্তৰ দিলোঁ; মিৰীবাৰ জলৰ কাষত মই তোমাক
পৰীক্ষা কৰিলোঁ। (চেলা) ৮ হে মোৰ লোকসকল, তোমালোকে মোৰ
সাৱধান বাণী শুনা, হে ইস্ৰায়েলীয়াসকল, তোমালোকে যদি মোৰ
কথা শুনিলা হয়! ৯ তোমালোকৰ মাজত কোনো বিদেশী দেৱ-দেৱী
নাথাকক; কোনো বিদেশী দেৱতাৰ আগত প্ৰণিপাত নকৰিবা। ১০
ময়েই তোমালোকৰ ঈশ্বৰ যিহোৱা; ময়েই তোমালোকক মিচৰ দেশৰ
পৰা উলিয়াই আনিলো; তোমালোকে বহলকৈ মুখ মেলা, মই তাক পূৰ্ণ
কৰিম। ১১ কিন্তু মোৰ লোকসকলে মোৰ কথালৈ কাণসাৰ নিদিলে;
ইস্ৰায়েলে মোৰ আজ্ঞা মানি নচলিলে। ১২ সেইবাবে মই তেওঁলোকক
কঠিনমনা হৃদয় লৈয়ে থাকিবলৈ দিলোঁ, যাতে তেওঁলোকে নিজৰ
পৰামৰ্শতেই চলে। ১৩ হায়! মোৰ লোকসকলে যদি কেৱল মোৰ
কথাই শুনিলে হয়, হায়! ইস্ৰায়েলে যদি মোৰ পথতে চলিলে হয়!
১৪ তেন্তে মই শীঘ্ৰেই তেওঁলোকৰ শত্ৰুবোৰক দমন কৰিলোঁ হয়,
তেওঁলোকৰ শত্ৰুবোৰৰ বিৰুদ্ধে মোৰ হাত তুলিলোঁ হয়! ১৫ যিহোৱাক
ঘিণাওঁতাবোৰে তেওঁৰ সন্মুখত অৱনত হ'ব; তেওঁলোকৰ দণ্ড চিৰকাল
স্থায়ী হ'ব। ১৬ কিন্তু ইস্ৰায়েলক মই সবাতোকৈ উত্তম ঘেঁহু খাবলৈ
দিম; মই তেওঁলোকক শিলৰ পৰা পোৱা মৌৰে তৃপ্ত কৰিম।"

**৮২** ঈশ্বৰ তেওঁৰ স্বৰ্গীয় সভাৰ মাজত থিয় হৈছে; দেৱতাবোৰৰ
সেই সভাত তেৱেঁই বিচাৰ কৰে। ২ "কিমান কাললৈকে তোমালোকে
অন্যায় বিচাৰ কৰিবা আৰু দুষ্টবোৰৰ পক্ষত থাকিবা? (চেলা) ৩
তোমালোকে দৰিদ্ৰ আৰু অনাথসকলৰ প্ৰতি ন্যায় বিচাৰ কৰা; দুখী

আৰু দীনহীনৰ ন্যায্য অধিকাৰ ৰক্ষা কৰা। ৪ দুখীয়া আৰু কঙালক
বচোৱা; দুষ্টবোৰৰ হাতৰ পৰা তেওঁলোকক মুক্ত কৰা।” ৫ তেওঁলোকৰ
জ্ঞান আৰু বিচাৰ-বুদ্ধি বুলি একো নাই; চাৰিওফালে অন্ধকাৰতে
তেওঁলোক ফুৰে; পৃথিবীৰ আটাই ভিত্তিমূলবোৰ কঁপি উঠিছে। ৬
মই ক’লো, “তোমালোকেই দেৱতাবোৰ; তোমালোক সকলোৱেই
সৰ্ব্বোপৰি জনাৰ সন্তান। ৭ কিন্তু তথাপিও তোমালোক মনুষ্যৰ দৰে
মৰিবা; অধিপতিসকলৰ এজনৰ দৰেই তোমালোকৰ পতন হ’ব।”
৮ হে ঈশ্বৰ, তুমি উঠা, পৃথিবীৰ বিচাৰ কৰা; কিয়নো সমুদায় জাতি
তোমাৰ অধিকাৰত আছে।

**৮৩** হে ঈশ্বৰ, তুমি মনে মনে নাথাকিবা! হে ঈশ্বৰ তুমি মুখ বন্ধ কৰি
নিসাৰ হৈ নাথাকিবা! ২ চোৱা, তোমাৰ শত্ৰুবোৰে কেনেকৈ আলোড়নৰ
সৃষ্টি কৰিছে; তোমাক ঘৃণা কৰা সকলে নিজৰ মূৰ দাঙিছে। ৩ তোমাৰ
লোকসকলৰ বিৰুদ্ধে তেওঁলোকে কুমন্ত্ৰণা কৰিছে; তুমি যিসকলক
ৰক্ষা কৰিছা, সেই লোকসকলৰ বিৰুদ্ধে তেওঁলোকে একেলগে কু-
মন্ত্ৰণা কৰিছে। ৪ তেওঁলোকে কয়, “আহাঁ, আমি এক জাতি হিচাবে
তেওঁলোকক উচ্ছন্ন কৰোঁহক, যাতে ইস্ৰায়েলৰ নাম পুনৰ কেতিয়াও
সোঁৱৰণ কৰা নহ’ব। ৫ তেওঁলোক একমনা হৈ ষড়যন্ত্ৰ কৰিছে;
তেওঁলোকে তোমাৰ বিৰুদ্ধে এটি নিয়ম কৰিছে। ৬ তেওঁলোক হ’ল,
তম্বুবাসী ইদোমৰ ইশ্মায়েলীয়াসকল, মোৱাবীয়া আৰু হাগৰীয়াসকল,
৭ গবালীয়া, অম্মোনীয়া, অমালেকীয়া আৰু তূৰ নিবাসীসকলৰ সৈতে
পলেষ্টিয়াসকল; ৮ অচুৰীয়াসকলেও তেওঁলোকৰ সংগত যোগ দিছে;
লোটৰ উত্তৰপুৰুষসকলৰ বাহু সবল কৰাত তেওঁলোকে সহায় কৰিছে।
৯ তুমি মিদিয়নীয়াসকলৰ প্ৰতি যি কৰিছিলা, কীচোন নদীৰ পাৰত
চীচৰা আৰু যাবীনৰ প্ৰতি যি কৰিছিলা, এওঁলোকৰ ক্ষেত্ৰতো তাকেই
কৰা। ১০ চীচৰা আৰু যাবীন অয়িন-দোৰত ধ্বংস হৈ গ’ল। তেওঁলোক
মাটিৰ ওপৰত গোবৰৰ দৰে পৰি আছিল। ১১ তেওঁলোকৰ প্ৰধান
লোকসকলৰ দশা তুমি ওৰেব আৰু জেবৰ নিচিনা কৰা; তেওঁলোকৰ
অধিপতিৰ সকলো দশা জেবহ আৰু চলমুন্নাৰ নিচিনা কৰা। ১২
তেওঁলোকে কৈছিল, “আহাঁ আমি ঈশ্বৰৰ চৰণীয়া ভূমি আমাৰ নিজৰ

কাৰণে অধিকাৰ কৰি লওহঁক।” ১৩ হে মোৰ ঈশ্বৰ, তুমি তেওঁলোকক
বা’মাৰলী বতাহত ঘূৰি থকা ধুলিৰ নিচিনা কৰা, বতাহে উড়ুৱাই
নিয়া তুঁহৰ নিচিনা কৰা। ১৪ বনজুইয়ে অৰণ্যক যেনেকৈ দগ্ধ কৰি
দিয়ে, জুইৰ শিখাই পৰ্বতবোৰ জ্বলাই দিয়ে, ১৫ সেইদৰে তোমাৰ
ধুমুহাৰে তুমি তেওঁলোকক খেদি যোৱা, আৰু তোমাৰ প্ৰচণ্ড বতাহেৰে
তেওঁলোকক ভয় খুউৱা। ১৬ হে যিহোৱা, লজ্জাৰে তুমি তেওঁলোকৰ
মুখ ঢাকি দিয়া, যাতে হে যিহোৱা, তেওঁলোকে তোমাৰ নাম মাতিব, ১৭
তেওঁলোক চিৰকালৰ বাবে লজ্জিত হওঁক আৰু ভীষণ ভাৱে আতঙ্কিত
হওঁক; তেওঁলোক অপমানিত হৈ বিনষ্ট হওক। ১৮ তেওঁলোকে যেন
জানিব পাৰে যে তোমাৰ নাম যিহোৱা, তুমি, কেৱল তুমিয়েই সমুদায়
পৃথিবীৰ ওপৰত সৰ্ব্বোপৰি জনা।

**৮৪** হে বাহিনীসকলৰ যিহোৱা, তোমাৰ নিবাস গৃহ কেনে মনোৰম!
২ যিহোৱাৰ চোতাল কেইখনত সোমাবলৈ মোৰ প্ৰাণে আকুল হাবিয়াহ
কৰিছে; অত্যন্ত উত্তেজিত হৈছে। জীৱন্ত ঈশ্বৰৰ কাৰণে মোৰ দেহ আৰু
মনে আনন্দ ধ্বনি কৰিছে। ৩ হে বাহিনীসকলৰ যিহোৱা, মোৰ ৰজা
আৰু মোৰ ঈশ্বৰ, তোমাৰ বেদীবোৰৰ ওচৰতে, ঘৰ-চিৰিকা চৰায়ে
নিজৰ অৰ্থে ঘৰ বিচাৰি পাইছে, তেলটুপিয়েও তাইৰ পোৱালি ৰাখিবলৈ
নিজৰ অৰ্থে বাঁহ বান্ধিছে। ৪ ধন্য সেইসকল, যিসকলে তোমাৰ গৃহত
বাস কৰিছে; তেওঁলোকে নিতৌ তোমাৰ প্ৰশংসা কৰিছে। (চেলা) ৫
ধন্য সেইসকল, যি সকলে তোমাতে শক্তি পাইছে, যিসকলৰ অন্তৰত
চিয়োনলৈ যোৱা ৰাজপথ আছে। ৬ শুকান বাকা উপত্যকাৰ মাজেদি
যাওঁতে তেওঁলোকে সেই ঠাইক জুৰিৰ ঠাই কৰি তোলে; প্ৰথম বৰষুণে
পুখুৰীবোৰ পানীৰে উপচাই দিয়ে। ৭ যোৱাৰ পথত তেওঁলোকে
শক্তিৰ উপৰি শক্তি পায়; তেওঁলোক প্ৰত্যেকে চিয়োনত দেৱতাবোৰৰ
ঈশ্বৰৰ সন্মুখত গৈ উপস্থিত হয়। ৮ হে বাহিনীসকলৰ ঈশ্বৰ যিহোৱা,
মোৰ প্ৰাৰ্থনা শুনা; হে যাকোবৰ ঈশ্বৰ, মোৰ কথা শুনা। (চেলা) ৯
হে ঈশ্বৰ, আমাৰ ঢাললৈ তুমি দৃষ্টিপাত কৰা; তোমাৰ এই অভিষিক্ত
ৰজাৰ মুখলৈ চোৱা। ১০ কিয়নো আন ঠাইত হাজাৰ দিন কটোৱাতকৈ
তোমাৰ চোতালকেইখনত এদিন থকাই অধিক উত্তম; দুষ্টতাৰ তম্বুত

বাস কৰাতকৈ, বৰং মই ঈশ্বৰৰ গৃহৰ দুৱৰী হৈ থকাই অধিক উত্তম।
১১ কিয়নো ঈশ্বৰ যিহোৱা সূৰ্য আৰু ঢাল স্বৰূপ; তেওঁ অনুগ্ৰহ আৰু
গৌৰৱ দান কৰে; যিসকলে সৎ পথত চলে, তেওঁলোকক কোনো উত্তম
বস্তু দিবলৈ তেওঁ অস্বীকাৰ নকৰে। ১২ হে বাহিনীসকলৰ যিহোৱা,
তোমাৰ ওপৰত নিৰ্ভৰ কৰা লোক ধন্য।

৮৫ হে যিহোৱা, তুমি তোমাৰ দেশৰ প্ৰতি দয়া দেখুৱালা। তুমি
যাকোবৰ ভৱিষ্যত পুনৰ স্থাপন কৰিলা। ২ তোমাৰ লোকসকলৰ
অপৰাধ তুমি ক্ষমা কৰিলা; তুমি তেওঁলোকৰ সকলো পাপ ঢাকিলা।
(চেলা) ৩ তোমাৰ সকলো ক্ৰোধ তুমি দূৰ কৰি দিলা আৰু তোমাৰ
প্ৰচণ্ড কোপৰ পৰা তুমি ঘূৰি আহিলা। ৪ হে আমাৰ পৰিত্ৰাণৰ ঈশ্বৰ,
তুমি আমাক পুনৰ উদ্ধাৰ কৰা; আমাৰ প্ৰতি থকা তোমাৰ ঘৃণামিশ্ৰিত
ক্ৰোধ দূৰ কৰা। ৫ তুমি চিৰকালেই আমাৰ ওপৰত ক্ৰোধ কৰি থাকিবা
নেকি? সৰ্ব্ব পুৰুষলৈকে তুমি তোমাৰ ক্ৰোধ ধৰি ৰাখিবা নেকি? ৬
তোমাৰ লোকসকলে যাতে তোমাত আনন্দ কৰিব পাৰে, তাৰবাবে
তুমি জানো আমাক পুণৰায় জাগৰিত নকৰিবা? ৭ হে যিহোৱা, তোমাৰ
দৃঢ় প্ৰেম তুমি আমাক দেখুউৱা; তোমাৰ পৰিত্ৰাণ আমাক দান কৰা। ৮
ঈশ্বৰ যিহোৱাই যিহকে ক'ব, মই তাকেই শুনিম; কিয়নো তেওঁ নিজৰ
লোকসকলক আৰু নিজৰ বিশ্বাসী অনুগামীসকলক শান্তিৰ কথা ক'ব,
যেন সেই লোকসকল পুনৰ মুৰ্খতাৰ ফালে ঘূৰি নাযায়। ৯ তেওঁক
ভয় কৰা সকললৈ স্বৰূপেই তেওঁৰ পৰিত্ৰাণৰ সময় তেওঁলোকৰ বাবে
সন্নিকট; তাতে আমাৰ দেশত তেওঁৰ মহিমাই বিৰাজ কৰিব। ১০
গভীৰ প্ৰেম আৰু বিশ্বস্ততাৰ মিলন ঘটিব; ধাৰ্মিকতা আৰু শান্তিয়ে
পৰস্পৰে চুম্বন কৰিব। ১১ দেশৰ ভূমিৰ পৰা বিশ্বস্ততাৰ গজালি ওলাব;
স্বৰ্গৰ পৰা ধাৰ্মিকতাই তললৈ দৃষ্টি কৰিব। ১২ যি যি উত্তম, যিহোৱাই
নিশ্চয়ে তাক দান কৰিব। আমাৰ দেশে নিজৰ শস্য উৎপন্ন কৰিব।
১৩ ধাৰ্মিকতা যিহোৱাৰ আগে আগে চলিব; তেওঁৰ খোজৰ চিহ্নত
ধাৰ্মিকতাই এটি পথ প্ৰস্তুত কৰিব।

৮৬ হে যিহোৱা, মোৰ কথালৈ কাণ দিয়া, মোক উত্তৰ দিয়া; কিয়নো
মই দুখী আৰু দৰিদ্ৰ। ২ মোৰ প্ৰাণ ৰক্ষা কৰা; কিয়নো মই তোমাৰ

ভক্ত; তুমিয়েই মোৰ ঈশ্বৰ; তোমাৰ ওপৰত ভাৰসা কৰা দাসক তুমি
পালন কৰা। ৩ হে প্ৰভু, মোক কৃপা কৰা; কিয়নো ওৰে দিনটো মই
তোমাৰ আগত প্ৰাৰ্থনা কৰি আছোঁ। ৪ তোমাৰ দাসৰ মনত আনন্দ
দান কৰা; কিয়নো হে প্ৰভু, মই মোৰ প্ৰাণ তোমালৈ তুলি ধৰিছোঁ। ৫
হে প্ৰভু, তুমি মঙ্গলময় আৰু ক্ষমাদানকাৰী; তোমাৰ আগত প্ৰাৰ্থনা কৰা
সকলৰ প্ৰতি তুমি দয়াৰে পৰিপূৰ্ণ। ৬ হে যিহোৱা, মোৰ প্ৰাৰ্থনালৈ
কাণ পাতা, মোৰ মিনতিৰ ক্ৰন্দন তুমি শুনা। ৭ সঙ্কটৰ কালত মই
তোমাৰ আগত প্ৰাৰ্থনা কৰিম; কিয়নো তুমি মোক উত্তৰ দিবা। ৮ হে
প্ৰভু, দেৱতাবোৰৰ মাজত তোমাৰ তুল্য কোনো নাই; তোমাৰ কাৰ্যৰ
লগত কোনো কাৰ্যৰ তুলনা নহয়। ৯ হে প্ৰভু, তুমি সৃষ্টি কৰা সমস্ত
জাতিয়ে আহি তোমাৰ আগত প্ৰণিপাত কৰিব; তেওঁলোকে তোমাৰ
মহিমা কীৰ্তন কৰিব। ১০ কিয়নো তুমি মহান আৰু তুমি আচৰিত কৰ্ম
কৰোঁতা। কেৱল তুমিয়েই ঈশ্বৰ। ১১ হে যিহোৱা, তোমাৰ পথৰ বিষয়ে
মোক শিক্ষা দিয়া, যাতে মই তোমাৰ সত্যত চলিব পাৰোঁ; তোমাৰ
নামক ভয় কৰাৰ কাৰণে মোৰ দুই মনৰ অন্তৰক এক মন দিয়া। ১২
হে মোৰ ঈশ্বৰ যিহোৱা, মই সমস্ত হৃদয়ৰে তোমাৰ প্ৰশংসা কৰিম,
চিৰকাল তোমাৰ নামৰ গৌৰৱ কৰিম। ১৩ কিয়নো মোৰ প্ৰতি তোমাৰ
গভীৰ প্ৰেম অসীম; চিয়োলৰ অতি গভীৰ অধোলোকৰ পৰা তুমি
মোৰ প্ৰাণ ৰক্ষা কৰিলা। **(Sheol h7585)** ১৪ হে ঈশ্বৰ, অহঙ্কাৰীবোৰ
মোৰ বিৰুদ্ধে উঠিছে; অত্যাচাৰীবোৰৰ দলে মোৰ প্ৰাণ লব বিচাৰিছে;
তেওঁলোকে তোমাক নিজৰ সন্মুখত নাৰাখে। ১৫ কিন্তু হে প্ৰভু, তুমি
দয়াৰে পৰিপূৰ্ণ অনুগ্ৰহকাৰী ঈশ্বৰ; তুমি ক্ৰোধত ধীৰ, গভীৰ প্ৰেম
আৰু বিশ্বস্ততাত মহান। ১৬ তুমি মোলৈ ঘূৰা আৰু মোক কৃপা কৰা;
তোমাৰ দাসক তোমাৰ শক্তি দান কৰা; তোমাৰ দাসীৰ পুত্ৰক তুমি
ৰক্ষা কৰা। ১৭ মোক তোমাৰ কৰুণাৰ এটি চিন দেখুৱা, যাতে মোক
যি সকলে ঘৃণা কৰে তেওঁলোকে তাকে দেখি লাজ পায়; কাৰণ, হে
যিহোৱা, তুমিয়েই মোক সহায় কৰিলা আৰু শান্তনা দিলা।

**৮৭** যিহোৱাই পবিত্ৰ পৰ্ব্বত শ্ৰেনীৰ ওপৰত তেওঁৰ নগৰ স্থাপন
কৰিলে। ২ যাকোবৰ বংশৰ সকলো নিবাসতকৈ যিহোৱাই চিয়োনৰ

দুৱাৰবোৰ ভাল পায়। ৩ হে ঈশ্বৰৰ নগৰ, তোমাৰ বিষয়ে অনেক
গৌৰৱৰ কথা কোৱা হৈছে। (চেলা) ৪ “মই মোৰ চিনাকিবোৰৰ মাজত
ৰাহব আৰু বাবিলৰো চৰ্চা কৰিম; পলেষ্টিয়া, তূৰ আৰু ইথিওপিয়াৰ
কথাও চৰ্চা কৰিম, তেওঁলোকে কয়, ‘এইসকল প্ৰত্যেকৰে জন্ম তাত
হৈছে’।” ৫ এনে কি, চিয়োনৰ বিষয়েও এই বুলি কোৱা হ’ব, “অমুক
বা তমুক মানুহৰ তাত জন্ম হৈছিল; সৰ্ব্বোপৰি জনাই নিজেই চিয়োনক
স্থাপন কৰিব।” ৬ যিহোৱাই জাতি সমূহৰ নাম লিখি তালিকা কৰাৰ
সময়ত এই কথা ক’ব, “এইজনৰ চিয়োনত জন্ম হৈছিল।” (চেলা) ৭
গায়ক আৰু নাচনীবোৰে একেভাৱে ক’ব, “মোৰ সকলো ভুমুক তোমাৰ
মাজতেই আছে।”

**৮৮** হে মোৰ পৰিত্ৰাণৰ ঈশ্বৰ যিহোৱা, মই দিনে-ৰাতিয়ে তোমাৰ
ওচৰত কাতৰোক্তি কৰিছোঁ। ২ তোমাৰ আগত মোৰ প্ৰাৰ্থনা উপস্থিত
হওঁক; তুমি মোৰ কাতৰোক্তিলৈ কাণ পাতা। ৩ কাৰণ মোৰ প্ৰাণ
দুখেৰে ভৰি পৰিছে, মোৰ জীৱন প্ৰায় চিয়োলৰ ওচৰ চাপিছে। **(Sheol
h7585)** ৪ গাতলৈ নামি যোৱাবোৰৰ লগত মই গণিত হৈছোঁ; মই
অসহায় লোকৰ দৰে বলহীন হৈছোঁ; ৫ মই মৃতবোৰৰ মাজত পৰিত্যাগ
কৰা লোকৰ দৰে হৈছোঁ; মৈদামত পৰি থকা হত লোকবোৰৰ নিচিনা
হৈছোঁ, যিবোৰক তুমি সোঁৱৰণো নকৰা, যিবোৰ তোমাৰ সহায়ৰ হাতৰ
পৰা বিছিন্ন হৈছে। ৬ তুমি মোক গাতৰ সকলোতকৈ তলৰ ঠাইত
ৰাখিছা, অন্ধকাৰ আৰু গভীৰ ঠাইত ৰাখিছা। ৭ হে ঈশ্বৰ, তোমাৰ
ক্ৰোধে মোক বেৰি ধৰিছে, তোমাৰ সকলো প্ৰকাৰ ঢৌৰে তুমি মোক
দুখ দিছা। (চেলা) ৮ তুমি মোৰ চিনাকিবোৰক মোৰ পৰা দূৰ কৰিছা;
তেওঁলোকৰ সন্মুখত মোক ঘৃণাৰ পাত্ৰ কৰিছা; মই বন্দী হৈ আছোঁ,
ওলাই যাব পৰা নাই। ৯ দুখতে মোৰ চকুৰ দৃষ্টি কমি আহিছে; হে
যিহোৱা, প্ৰতিদিনে মই তোমাৰ আগত প্ৰাৰ্থনা কৰিছোঁ; মই তোমালৈ
মোৰ হাত মেলি ৰাখিছোঁ। ১০ মৃতজনৰ কাৰণে জানো তুমি আচৰিত
কৰ্ম কৰা? মৃতজনে উঠি জানো তোমাৰ স্তুতি কৰিব? (চেলা) ১১
মৈদামত জানো তোমাৰ গভীৰ প্ৰেমৰ বৰ্ণনা আৰু বিনাশৰ ঠাইত
জানো তোমাৰ বিশ্বস্ততাৰ কথা প্ৰচাৰ কৰা হ’ব? ১২ অন্ধকাৰ স্থানত

জানো তোমাৰ আচৰিত কৰ্ম জনা যাব? যি দেশৰ লোকক তুমি পাহৰি
যোৱা, সেই ঠাইত জানো তোমাৰ ধাৰ্মিকতাৰ কাৰ্য জনা যাব? ১৩
হে যিহোৱা, মই, মই হলে তোমাৰ ওচৰত কাকুতি কৰি কান্দিছোঁ,
ৰাতিপুৱাতেই তোমাৰ আগত মোৰ প্ৰাৰ্থনা গৈ উপস্থিত হয়। ১৪ হে
যিহোৱা, কিয় তুমি মোক ত্যাগ কৰিছা? তোমাৰ মুখ মোৰ পৰা কিয়
লুকুৱাই ৰাখিছা? ১৫ মই ল'ৰা কালৰে পৰা দুখী আৰু মৃতপ্ৰায় হৈ
আছোঁ; মই তোমাৰ ভয়ানক ক্ৰোধ ভোগ কৰি ব্যাকুল হৈছোঁ। মই
হতাশ হৈ পৰিছো। ১৬ তোমাৰ প্ৰচণ্ড ক্ৰোধ মোৰ ওপৰেদি বৈ গৈছে;
তোমাৰ ক্ৰোধে মোক ধ্বংস কৰিছে। ১৭ সেইবোৰে পানীৰ ঢল অহাৰ
দৰে ওৰে দিনটো মোক আৱৰি ৰাখিছে; চৌদিশৰ পৰা মোক বেৰি
ধৰি ৰাখিছে। ১৮ মোৰ প্ৰিয়জন আৰু বন্ধুসকলক তুমি মোৰ পৰা দূৰ
কৰিলা; এতিয়া অন্ধকাৰেই মোৰ সংগী।

**৮৯** মই চিৰকাল যিহোৱাৰ গভীৰ প্ৰেমৰ কীৰ্তন কৰিম; মই নিজ
মুখেৰে পুৰুষানুক্ৰমে সকলোৰে সন্মুখত তোমাৰ বিশ্বস্ততা প্ৰচাৰ
কৰিম। ২ মই ঘোষণা কৰিম যে, তোমাৰ গভীৰ প্ৰেমৰ কাৰ্য চিৰকালৰ
বাবে স্থাপন হৈছে; তোমাৰ বিশ্বস্ততা আকাশমণ্ডলৰ দৰেই স্থায়ী।
৩ তুমি কৈছা, "মই মোৰ মনোনীত জনৰ কাৰণে এটি নিয়ম স্থাপন
কৰিলোঁ, মোৰ দাস দায়ুদৰ আগত মই এই শপত কৰিলোঁ: ৪ 'মই
তোমাৰ বংশক চিৰকালৰ কাৰণে স্থাপন কৰিম; বংশানুক্ৰমে তোমাৰ
সিংহাসন স্থাপন কৰিম'।" (চেলা) ৫ হে যিহোৱা, আকাশ-মণ্ডলে
তোমাৰ আচৰিত কৰ্মৰ প্ৰশংসা কৰে; পবিত্ৰ লোকসকলৰ সমাজত
তোমাৰ বিশ্বস্ততাৰ প্ৰশংসা কৰে। ৬ আকাশমণ্ডলৰ মাজত এনে কি
আছে যাক যিহোৱাৰ লগত তুলনা কৰিব পাৰি? স্বৰ্গৰ দূতবোৰৰ
মাজত যিহোৱাৰ তুল্য কোন আছে? ৭ পবিত্ৰ দূতবোৰৰ সভাত
সকলোৱে ঈশ্বৰক ভয় কৰে; তেওঁৰ চৰিওফালে থকা সকলতকৈ
তেৱেঁই অতিশয় ভয়ানক। ৮ হে বাহিনীসকলৰ ঈশ্বৰ যিহোৱা, তোমাৰ
তুল্য পৰাক্ৰমী কোন আছে, হে প্ৰভু? তোমাৰ বিশ্বস্ততাই তোমাক বেৰি
ৰাখিছে। ৯ তৰ্জন-গৰ্জনেৰে ওফন্দি উঠা সমুদ্ৰক তুমি শাসন কৰা;
তাৰ ঢৌ উঠিলে তুমিয়েই সেইবোৰক শান্ত কৰা। ১০ তুমি ৰাহবক খণ্ড

খণ্ড কৰি, হত হোৱা লোকৰ দৰে কৰিলা; তোমাৰ বাহুবলেৰে তুমি তোমাৰ শত্ৰুবোৰক ছিন্ন-ভিন্ন কৰিলা। ১১ আকাশ-মণ্ডল তোমাৰ আৰু পৃথিবীও তোমাৰেই; জগত আৰু তাত থকা সকলোকে তুমিয়েই স্থাপন কৰিলা। ১২ উত্তৰ আৰু দক্ষিণ তোমাৰেই সৃষ্টি; তাবোৰ আৰু হৰ্মোণে তোমাৰ নামত আনন্দ-ধ্বনি কৰে। ১৩ তোমাৰ বাহু পৰাক্ৰমেৰে ভৰা; তোমাৰ হাত শক্তিশালী, তোমাৰ সোঁ হাত প্ৰবল। ১৪ ধাৰ্মিকতা আৰু ন্যায়বিচাৰ তোমাৰ সিংহাসনৰ ভিত্তিমূল; প্ৰেম আৰু বিশ্বস্ততা তোমাৰ আগে আগে চলে। ১৫ ধন্য সেই লোক, যি লোকে আনন্দ-ধ্বনিৰে তোমাৰ আৰাধনা কৰে; হে যিহোৱা, তেওঁলোকে তোমাৰ মুখৰ দীপ্তিত চলাফুৰা কৰে। ১৬ ওৰে দিনটো তেওঁলোকে তোমাৰ নামত উল্লাস কৰে; তোমাৰ ধাৰ্মিকতাত তেওঁলোকে তোমাক তুলি ধৰে। ১৭ তুমিয়েই তেওঁলোকৰ শক্তিৰ শোভা; তোমাৰ অনুগ্ৰহতে আমাৰ শক্তি উন্নত হ'ব। ১৮ আমাৰ ৰজা ইস্ৰায়েলৰ পবিত্ৰ ঈশ্বৰ জনা দ্বাৰায়েই নিযুক্ত, আমাৰ সেই ঢাল যিহোৱাৰেই। ১৯ এসময়ত তুমি দৰ্শনত তোমাৰ ভক্তসকলক কৈছিলা, "এজন বীৰৰ ওপৰত মই সহায় কৰাৰ ভাৰ অৰ্পণ কৰিলোঁ; লোকসকলৰ মাজৰ পৰা এজনক মনোনীত কৰি উন্নত কৰিলোঁ। ২০ মই মোৰ দাস দায়ূদক বিচাৰি পালোঁ; মোৰ পবিত্ৰ তেলেৰে মই তেওঁক অভিষেক কৰিলোঁ। ২১ মোৰ হাত সদায় তেওঁৰ লগত থাকিব; মোৰ বাহুৱেও তেওঁক বলৱান কৰিব। ২২ কোনো শত্ৰুৱে তেওঁক উপদ্ৰৱ নকৰিব, কোনো দুষ্ট লোকে তেওঁক অত্যাচাৰ নকৰিব। ২৩ মই তেওঁৰ শত্ৰুবোৰক তেওঁৰ সন্মুখতে গুড়ি কৰিম; যিসকলে তেওঁক ঘৃণা কৰে, তেওঁলোকক প্ৰহাৰ কৰিম। ২৪ মোৰ বিশ্বস্ততা আৰু প্ৰেম তেওঁৰ লগত থাকিব; মোৰ নামত তেওঁৰ শক্তিৰ শিং উৰ্দ্ধত উঠিব। ২৫ মই সাগৰৰ ওপৰত তেওঁৰ হাত ৰাখি ক্ষমতা দিম, আৰু তেওঁৰ সোঁহাত নদীবোৰৰ ওপৰত ৰাখিম। ২৬ তেওঁ মোক মাতি ক'ব, 'তুমিয়েই মোৰ পিতৃ, মোৰ ঈশ্বৰ আৰু মোৰ পৰিত্ৰাণৰ শিলা!' ২৭ মই তেওঁক মোৰ জ্যেষ্ঠ পুত্ৰ কৰিম, পৃথিবীৰ ৰজাসকলৰ মাজত তেওঁক সকলোতকৈ শ্ৰেষ্ঠ কৰিম। ২৮ তেওঁৰ প্ৰতি মোৰ অটল প্ৰেম চিৰকাললৈকে ৰাখিম; মোৰ নিয়মটি তেওঁৰ লগত থিৰে থাকিব।

২৯ মই তেওঁৰ বংশকো চিৰকাললৈকে স্থায়ী কৰিম, আকাশ-মণ্ডলৰ দৰেই মই তেওঁৰ সিংহাসন চিৰস্থায়ী কৰিম। ৩০ তেওঁৰ সন্তান সকলে যদি মোৰ ব্যৱস্থা ত্যাগ কৰে, আৰু মোৰ নিয়মৰ পথত নচলে, ৩১ যদি তেওঁলোকে মোৰ বিধিবোৰ উলঙ্ঘন কৰে, মোৰ আজ্ঞাবোৰ পালন নকৰে, ৩২ তেন্তে মই বেতেৰে প্ৰহাৰ কৰি তেওঁলোকক অপৰাধৰ শাস্তি দিম, তেওঁলোকৰ অধৰ্মৰ শাস্তি চাবুকেৰে দিম। ৩৩ কিন্তু মই মোৰ অটল প্ৰেম তেওঁৰ পৰা নিচেইকৈ নুগুচাম; মোৰ প্ৰতিজ্ঞাৰ বিশ্বস্ততা ব্যৰ্থ হবলৈ নিদিম। ৩৪ মই মোৰ নিয়মটি উলঙ্ঘন নকৰিম, মোৰ ওঁঠৰ পৰা ওলোৱা বাক্য সলনি নকৰিম। ৩৫ মোৰ পবিত্ৰতাৰ শপত খাই মই এবাৰেই ক'লোঁ; মই দায়ুদৰ আগত কেতিয়াও মিছা কথা নকওঁ। ৩৬ তেওঁৰ বংশ চিৰকাললৈকে থাকিব, তেওঁৰ সিংহাসন মোৰ সাক্ষাতে সূৰ্যৰ দৰে চিৰস্থায়ী হব। ৩৭ সেয়ে আকাশৰ বিশ্বাসী সাক্ষী চন্দ্ৰৰ নিচিনাকৈ চিৰকালৰ কাৰণে স্থাপিত হব।" (চেলা) ৩৮ কিন্তু তুমিয়েই পৰিত্যাগ কৰিলা, অগ্ৰাহ্যও কৰিলা; তোমাৰ অভিষিক্ত জনাৰ বিৰুদ্ধে তুমি ক্ৰোধ কৰিছা। ৩৯ তোমাৰ দাসে সৈতে স্থাপন কৰা নিয়মটি তুমি প্ৰত্যাখান কৰিছা; তুমি তেওঁৰ ৰাজ-মুকুট মাটিলৈ পেলাই অশুচি কৰিলা। ৪০ তুমি তেওঁৰ সকলো প্ৰাচীৰ ভাঙি পেলালা; তুমি তেওঁৰ কোঁঠবোৰ বিনষ্ট কৰিলা। ৪১ তেওঁৰ দেশৰ কাষেদি যোৱা সকলো বাটৰুৱাই তেওঁক লুট কৰে; তেওঁ ওচৰ-চুবুৰীয়াবোৰৰ নিন্দাৰ পাত্ৰ হৈছে। ৪২ তুমি তেওঁৰ শত্ৰুবোৰৰ সোঁ হাত শক্তিশালী কৰিলা; তেওঁৰ সকলো শত্ৰুকে আনন্দিত কৰিলা। ৪৩ তুমি তেওঁৰ তৰোৱালৰ ধাৰ ওভটাই দিলা আৰু যুদ্ধত তেওঁক থিয় হবলৈ নিদিলা। ৪৪ তুমি তেওঁৰ হাতৰ ৰাজদণ্ড হৰণ কৰিলা; তেওঁৰ সিংহাসন ভুমিলৈ পতিত কৰিলা। ৪৫ তুমি তেওঁৰ যৌৱন কাল চুটি কৰিলা; তুমি তেওঁক লাজেৰে ঢাকিলা। (চেলা) ৪৬ হে যিহোৱা, আৰু কিমান কাল? তুমি সদায়েই নিজকে লুকুৱাই ৰাখিবা নে? কিমান কাল নো তোমাৰ ক্ৰোধ অগ্নিৰ নিচিনাকৈ জ্বলি থাকিব? ৪৭ মোৰ জীৱন কাল কেনে অলপ দিনীয়া, তাক সোঁৱৰা; কি অসাৰতাৰ কাৰণেইবা তুমি মনুষ্যক স্ৰজিলা! ৪৮ কেতিয়াও মৃত্যু নেদেখাকৈ কোন মানুহ জীয়াই থাকিব পাৰে?

চিয়োলৰ হাতৰ পৰা কোনে নিজৰ প্ৰাণ ৰক্ষা কৰিব পাৰে? (চেলা)
(Sheol h7585) ৪৯ হে যিহোৱা, তোমাৰ পূৰ্বকালৰ সেই অটল প্ৰেম
ক'ত? সেই প্ৰেম তুমি তোমাৰ বিশ্বস্ততাৰ দ্বাৰাই দায়ুদৰ আগত শপত
খাইছিলা। ৫০ হে যিহোৱা, তোমাৰ দাসবোৰক কৰা অপমান সোঁৱৰণ
কৰা; সোঁৱৰণ কৰা, আন জাতিবোৰে মোলৈ কৰা সেই অপমানবোৰ;
কেনেকৈ মই মোৰ বুকুত বহন কৰি আছোঁ। ৫১ হে যিহোৱা, তোমাৰ
শত্ৰুবোৰে সেই অপমান কৰিছে, তেওঁলোকে তোমাৰ অভিষিক্ত জনাৰ
প্ৰতি খোজক অপমান কৰিছে। ৫২ যিহোৱা চিৰকাললৈকে ধন্য হওঁক।
আমেন, আৰু আমেন।

**৯০** হে প্ৰভু, পুৰুষে পুৰুষে তুমিয়েই আমাৰ বাসস্থান হৈ আহিছা।
২ পৰ্ব্বতবোৰ উৎপন্ন হোৱাৰ আগেয়ে, পৃথিৱী আৰু জগত সৃষ্টিৰ
আগতে, অনাদি কালৰ পৰা অনন্ত কাল পৰ্যন্ত তুমিয়েই ঈশ্বৰ। ৩
তুমি মানুহক ধূলিলৈ উভটাই লৈ যোৱা; তুমি কোৱা, "হে মনুষ্য সন্তান
সকল উভটি যোৱা"। ৪ তোমাৰ দৃষ্টিত হাজাৰ বছৰ যেন পাৰ হোৱা
যোৱাকালিৰ নিচিনা; যেন ৰাতিৰ এক প্ৰহৰ মাত্ৰ। ৫ তুমি মানুহক
ধলৰ দৰে উটুৱাই লৈ যোৱা, তেওঁলোক এটা সপোনৰ নিচিনা; যেন
ৰাতিপুৱা নতুনকৈ ঠন ধৰি উঠা ঘাঁহৰ দৰে; ৬ ৰাতি পুৱালেই সেয়ে
গজি বাঢ়িবলৈ ধৰে; গধূলি বেলা সেয়ে শুকাই শেষ হৈ যায়। ৭ তোমাৰ
ক্ৰোধে আমাক গ্ৰাস কৰে, তোমাৰ কোপত আমি ব্যাকুল হওঁ। ৮
তুমি আমাৰ অপৰাধবোৰ তোমাৰ সন্মুখত থৈছা; তোমাৰ উপস্থিতিৰ
পোহৰত আমাৰ গুপুত পাপবোৰ প্ৰকাশ পায়। ৯ তোমাৰ ভীষণ
ক্ৰোধত আমাৰ দিনবোৰ হ্ৰাস হৈ যায়; নিশ্বাসৰ দৰেই আমাৰ আয়ুসৰ
বছৰবোৰ শেষ হৈ যায়। ১০ আমাৰ আয়ুস মাত্ৰ সত্তৰ বছৰ, হয়তো
শক্তি থাকিলে, আশী বছৰো হ'ব পাৰে; তথাপিতো আমি শক্তি থকা
বছৰবোৰত মাথোন দুখ আৰু ক্লেশ থাকে; বছৰবোৰ বেগাই ঢুকাই যায়
আৰু আমিও পলকতে উড়ি যাওঁ। ১১ তোমাৰ ক্ৰোধৰ পৰাক্ৰম কোনে
জানে? তোমাৰ ক্ৰোধ, তোমাৰ প্ৰাপ্য ভয়-ভক্তিৰ দৰেই মহান? ১২
সেয়ে আমাৰ আয়ুসৰ কাল গণনা কৰিবলৈ তুমি আমাক শিকোৱা;
যাতে আমি প্ৰজ্ঞাৰ চিত্ত লাভ কৰিব পাৰোঁ। ১৩ হে যিহোৱা, আৰু

কিমান কাল? তুমি ঘূৰি আহাঁ! তোমাৰ দাসবোৰৰ প্ৰতি সদয় হোৱা।
১৪ পুৱাতে তোমাৰ গভীৰ প্ৰেমেৰে আমাক তৃপ্ত কৰা, যেন আয়ুস
থাকেমানে গোটেই জীৱনত আমি আনন্দ আৰু উল্লাস কৰিব পাৰোঁ।
১৫ যিমান দিন ধৰি তুমি আমাক দুখ দিলা আৰু, যিমান বছৰ আমি কষ্ট
দেখিলোঁ, সেই অনুসাৰেই তুমি আমাক আনন্দিত কৰা। ১৬ তোমাৰ
দাসবোৰৰ আগত তোমাৰ কৰ্ম, আৰু তেওঁলোকৰ সন্তান সকলৰ
ওপৰত তোমাৰ গৌৰৱ প্ৰকাশিত হওক। ১৭ আমাৰ ঈশ্বৰ যিহোৱাৰ
দয়া আমাৰ ওপৰত থাকক; তুমি আমাৰ হাতৰ সকলো কাৰ্য সফল
কৰা; হয়, আমাৰ হাতৰ সকলো কামত তুমি সফলতা দান কৰা।
**৯১** যি মানুহ সৰ্ব্বোপৰি জনাৰ আশ্ৰয়ত থাকে, যি মানুহ
সৰ্ব্বশক্তিমানৰ ছাঁত বসতি কৰে ২ তেওঁ যিহোৱাৰ বিষয়ে এই কথা
ক'ব, "তেৱেঁই মোৰ আশ্ৰয় আৰু মোৰ দুৰ্গ; তেৱেঁই মোৰ ঈশ্বৰ, যি
জনাৰ ওপৰত মই ভাৰসা কৰোঁ।" ৩ তেওঁ তোমাক ব্যাধৰ ফান্দৰ
পৰা আৰু সৰ্বনাশী মহামাৰীৰ পৰা ৰক্ষা কৰিব। ৪ তেওঁ নিজৰ
ডেউকাৰে তোমাক আবৰি ৰাখিব, তেওঁৰ ডেউকাৰ তলত তুমি আশ্ৰয়
পাবা; ঈশ্বৰৰ বিশ্বাসযোগ্যতা তোমাৰ ঢাল আৰু সুৰক্ষা হ'ব। ৫
তুমি ৰাতিৰ আতঙ্কলৈ; আৰু দিনত উড়ি অহা কাঁড়লৈ ভয় নকৰিবা।
৬ অন্ধকাৰত ঘূৰি ফুৰা মহামাৰীলৈ নাইবা দুপৰীয়া সময়ত অহা
ধ্বংসকাৰী আঘাতলৈ তুমি ভয় নকৰিবা। ৭ হয়তো তোমাৰ ওচৰে-
পাজৰে ধ্বংস হ'ব হাজাৰ হাজাৰ লোক, আৰু তোমাৰ সোঁফালে অযুত
অযুত; কিন্তু সেয়ে তোমাৰ কাষলৈ নাহিব। ৮ তুমি কেৱল নিজ চকুৰে
দেখা পাবা; দুষ্টবোৰে কেনে প্ৰতিফল পায়, তুমি তাক দেখা পাবা। ৯
'হে প্ৰভু, হয়, তুমিয়েই মোৰ আশ্ৰয়!' তুমি সৰ্ব্বোপৰি জনাক তোমাৰ
আশ্ৰয়স্থান কৰিলা। ১০ সেয়ে তোমালৈ কোনো বিপদ নঘটিব; আৰু
তোমাৰ তম্বুৰ ওচৰলৈ কোনো দুখ-কষ্ট নাহিব। ১১ কিয়নো তোমাৰ
সকলো পথত তোমাক ৰক্ষা কৰিবলৈ, তেওঁ নিজৰ দূতবোৰক তোমাৰ
বিষয়ে আজ্ঞা দিব। ১২ তেওঁলোকে হাতেৰে তোমাক দাঙি ধৰিব,
যেন তোমাৰ ভৰিয়ে শিলত খুন্দা খাই আঘাত নাপায় ১৩ তুমি সিংহ
আৰু সাপৰ ওপৰত ভৰি দিবা। তুমি যুবা-সিংহ আৰু নাগক ভৰিৰে

গচকিবা। ১৪ কিয়নো তেওঁ মোক প্ৰেম কৰে, সেয়ে মই তেওঁক উদ্ধাৰ
কৰিম; মই তেওঁক ৰক্ষা কৰিম, কাৰণ তেওঁ মোৰ নাম জানে। ১৫
তেওঁ মোক মাতিব, তাতে মই তেওঁক উত্তৰ দিম; সঙ্কটৰ কালত মই
তেওঁৰ সঙ্গী হ'ম; মই তেওঁক উদ্ধাৰ কৰিম, গৌৰৱান্বিতও কৰিম।
১৬ মই দীৰ্ঘ আয়ুস দি তেওঁক সন্তুষ্ট কৰিম; মোৰ পৰিত্ৰাণ তেওঁক
দেখুৱাম।

**৯২** যিহোৱাৰ উদ্দেশ্যে ধন্যবাদ কৰা উত্তম; হে সৰ্ব্বোপৰি জনা,
তোমাৰ নামৰ উদ্দেশ্যে স্তুতি গান কৰা উত্তম; ২ ৰাতিপুৱা তোমাৰ
অসীম প্ৰেমৰ কথা আৰু প্ৰতি ৰাতি তোমাৰ বিশ্বস্ততা প্ৰচাৰ কৰা
উত্তম; ৩ দহ গুণীয়া যন্ত্ৰ আৰু নেবল যন্ত্ৰ সহকাৰে, গভীৰ বীণাৰ
স্বৰেৰে তোমাৰ ধন্যবাদ-স্তুতি কৰা উত্তম। ৪ কিয়নো হে যিহোৱা,
তুমি তোমাৰ কাৰ্যৰ দ্বাৰাই মোক আনন্দিত কৰিছা; মই তোমাৰ হাতে
কৰা কাৰ্য দেখি আনন্দেৰে গীত গান কৰোঁ। ৫ হে যিহোৱা, তোমাৰ
কাৰ্যবোৰ কেনে মহৎ! তোমাৰ চিন্তাবোৰ কেনে গভীৰ! ৬ নিৰ্বোধ
লোকে নাজানে, বিবেকহীন লোকে এই সকলোবোৰ বুজি নাপায়; ৭
দুষ্টবোৰ যদিও ঘাহঁৰ নিচিনাকৈ বাঢ়ি উঠে, অন্যায়কাৰীবোৰে যদিও
উন্নতি লাভ কৰে, তথাপিতো তেওঁলোক চিৰকাললৈকে বিনষ্ট হ'ব। ৮
কিন্তু হে যিহোৱা, তুমি অনন্তকাল উৰ্দ্ধবাসী। ৯ কিয়নো, হে যিহোৱা,
তোমাৰ শত্ৰুবোৰ, তোমাৰ শত্ৰুবোৰ ধ্বংস হ'ব; তোমাৰ অন্যায়কাৰী
সকলোবোৰ ছিন্ন-ভিন্ন হ'ব। ১০ কিন্তু বনৰীয়া ষাঁড়ৰ শিঙৰ দৰে তুমি
মোৰ শক্তিক তুলি ধৰিলা; তুমি মোৰ ওপৰত নতুন অভিষিক্ত তেল
ঢালি দিলা। ১১ মোৰ শত্ৰুবোৰৰ পতন মই নিজ চকুৰে দেখিলোঁ; মোৰ
বিৰুদ্ধে উঠা সেই দুষ্টবোৰৰ সৰ্বনাশ মই নিজ কাণেৰে শুনিবলৈ পালোঁ।
১২ ধাৰ্মিকলোক খাজুৰ গছৰ দৰে উজ্বলি উঠিব; লিবানোনৰ এৰচ
গছৰ নিচিনাকৈ বাঢ়ি যাব। ১৩ তেওঁলোকক যিহোৱাৰ গৃহত ৰোপন
কৰা হ'ল; তেওঁলোক আমাৰ ঈশ্বৰৰ চোতাল কেইখনত প্ৰফুল্লিত
হ'ব। ১৪ তেওঁলোকে বৃদ্ধ বয়সতো ফল উৎপন্ন কৰিব; তেওঁলোক
ৰসাল আৰু সেউজীয়া হৈ থাকিব; ১৫ তাতে প্ৰচাৰিত হ'ব যে যিহোৱা
ন্যায়বান; তেৰেঁই মোৰ শিলা, তেওঁত কোনো অধাৰ্মিকতা নাই।

৯৩ যিহোৱাই ৰাজত্ব কৰে, তেওঁ মহিমাৰে সজ্জিত; যিহোৱা
সুসজ্জিত; তেওঁ পৰাক্ৰমেৰে নিজৰ কঁকাল বান্ধিলে; জগতখনো তেওঁ
লৰচৰ হ'ব নোৱাৰাকৈ স্থাপন কৰিলে। ২ তোমাৰ সিংহাসন পূৰ্বৰে
পৰা স্থাপন কৰা হ'ল; তুমি অনাদি কালৰে পৰা বিদ্যমান। ৩ হে
যিহোৱা, নদীৰ পানী ওফন্দি উঠিছে, নদীবোৰ নিজ নিজ তৰঙ্গ ধ্বনিৰে
ওফন্দি উঠিছে; নদীবোৰে নিজ নিজ গৰ্জনৰ ঢৌ তুলিছে। ৪ মহা
জল সমূহৰ কল্লোল ধ্বনিতকৈয়ো, সমুদ্ৰৰ প্ৰচণ্ড তৰঙ্গবোৰতকৈয়ো
সৰ্ব্বোপৰি যিহোৱা বলৱান। ৫ তোমাৰ আজ্ঞাবোৰ অতি বিশ্বাসযোগ্য;
হে যিহোৱা চিৰদিনৰ কাৰণে পবিত্ৰতা তোমাৰ গৃহৰ শোভা।

৯৪ হে প্ৰতিফল দিওঁতা ঈশ্বৰ যিহোৱা, হে প্ৰতিফল দিওঁতা ঈশ্বৰ,
তুমি দীপ্তি প্ৰকাশ কৰা। ২ হে পৃথিৱীৰ বিচাৰকৰ্ত্তা, তুমি উঠা,
অহংকাৰীবোৰক তেওঁলোকৰ যি প্ৰাপ্য তাক তুমি দিয়া। ৩ হে
যিহোৱা, দুষ্টবোৰে কিমান কাল, দুষ্টবোৰেনো কিমান কাল উল্লাস
কৰিব? ৪ তেওঁলোকৰ মুখৰ পৰা দাম্ভিক কথাবোৰ বাহিৰ হৈ আহে;
সকলো দুষ্টলোকে গৰ্ব্ব কৰে। ৫ হে যিহোৱা, তোমাৰ লোকসকলক
তেওঁলোকে চূৰ্ণ কৰিছে; তোমাৰ আধিপত্যক উপদ্ৰৱ কৰিছে। ৬
বিধৱা আৰু বিদেশী লোকক তেওঁলোকে বধ কৰিছে; অনাথ সকলক
হত্যা কৰিছে; ৭ তেওঁলোকে ক'য়, "যিহোৱাই নেদেখিব; যাকোবৰ
ঈশ্বৰে মন নকৰিব।" ৮ হে বিবেকহীনবোৰ, তোমালোকে বিবেচনা
কৰা; হে নিৰ্বোধবোৰ, কেতিয়া তোমালোকৰ সুবুদ্ধি হ'ব? ৯ যি
জনাই কাণ সৃষ্টি কৰিলে, তেওঁ জানো নুশুনিব? যি জনাই চকু নিৰ্ম্মাণ
কৰিলে, তেওঁ জানো নেদেখিব? ১০ যি জনাই সকলো জাতিকে শাসন
কৰে আৰু লোকসকলক শিক্ষা দিয়ে, তেওঁ জানো শাস্তি নিদিয়াকৈ
থাকিব? ১১ যিহোৱাই মানুহৰ সকলো চিন্তা জানে; তেওঁ জানে
যে তেওঁলোক সকলো শ্বাস মাত্ৰ। ১২ হে যিহোৱা, ধন্য সেইসকল
লোক যাক তুমি শাসন কৰা, আৰু তোমাৰ ব্যৱস্থাৰ পৰা শিক্ষা দিয়া,
১৩ যাতে তেওঁলোকে বিপদৰ কালত জিৰণি পায়, যেতিয়ালৈকে
দুষ্টসকলৰ কাৰণে গাত খন্দা শেষ নহয়। ১৪ কিয়নো যিহোৱাই নিজৰ
লোকসকলক ত্যাগ নকৰিব, নিজৰ আধিপত্যক পৰিত্যাগ নকৰিব।

১৫ ন্যায়বিচাৰ পুনৰ ধাৰ্মিকতাৰ ওচৰলৈ উভটি আহিব; শুদ্ধ মনৰ
সকলোৱেই তাক মানি চলিব। ১৬ কোনে মোৰ পক্ষ হৈ দুষ্টবোৰৰ
বিৰুদ্ধে উঠিব? মোৰ পক্ষ হৈ দুষ্টবোৰৰ বিৰুদ্ধে কোন থিয় হ'ব? ১৭
যদি যিহোৱাই মোক সহায় নকৰে, তেন্তে মৃত্যুৰ নীৰৱতাত মোৰ
প্ৰাণে শীঘ্ৰেই বসতি কৰিলেহেঁতেন। ১৮ যেতিয়াই মই ভাৱো যে,
মোৰ ভৰি পিছলি গৈছে, তেতিয়াই হে যিহোৱা, তোমাৰ অসীম প্ৰেমে
মোক ধৰি ৰাখে। ১৯ মোৰ মন যেতিয়া দুঃচিন্তাৰে ভৰি পৰে, তেতিয়া
তোমাৰ শান্ত্বনাই মোৰ প্ৰাণত আনন্দ দান কৰে। ২০ দুৰ্নীতিপৰায়ণ
শাসনকৰ্তাসকলে দুষ্কাৰ্যৰ কাৰণে বিধি স্থাপন কৰে, তোমাৰ লগত
তেওঁলোকৰ জানো সম্পৰ্ক থাকিব পাৰে? ২১ তেওঁলোকে ধাৰ্মিকৰ
প্ৰাণৰ বিৰুদ্ধে গোট খায়; তেওঁলোকে নিৰ্দ্দোষীক মৃত্যুদণ্ড বিহিবলৈ
দোষী কৰে। ২২ কিন্তু যিহোৱাই মোৰ দুৰ্গ; মোৰ ঈশ্বৰেই মোৰ আশ্ৰয়
শিলা। ২৩ তেওঁলোকৰ অপৰাধ তেওঁ তেওঁলোকৰ ওপৰলৈকে আনিব,
তেওঁলোকৰ দুষ্কাৰ্যতেই তেওঁ তেওঁলোকক বিনষ্ট কৰিব; আমাৰ ঈশ্বৰ
যিহোৱায়েই তেওঁলোকক বিনষ্ট কৰিব।

**৯৫** আহাঁ, আমি যিহোৱাৰ উদ্দেশ্যে গান কৰোঁহক; আমাৰ পৰিত্ৰাণৰ
শিলাৰ অৰ্থে আনন্দ-ধ্বনি কৰোঁহক। ২ আহাঁ, আমি ধন্যবাদ জনাই
জনাই তেওঁৰ আগত উপস্থিত হওঁ; স্তুতি-গানেৰে তেওঁৰ উদ্দেশ্যে
আনন্দ ধ্বনি কৰোঁহক। ৩ কিয়নো যিহোৱা মহান ঈশ্বৰ, সকলো
দেৱতাবোৰৰ ওপৰত তেওঁেই মহান ৰজা। ৪ পৃথিৱীৰ সকলো গভীৰ
স্থান তেওঁৰ হাতত আছে, পৰ্ব্বতবোৰৰ টিংবোৰো তেওঁৰেই। ৫ সমুদ্ৰ
তেওঁৰেই, কাৰণ তেওঁেই তাক স্ৰজিলে; তেওঁৰ হাতে শুকান ভূমি
নিৰ্ম্মাণ কৰিলে। ৬ আহাঁ, আমি আঁঠুকাঢ়ি প্ৰণিপাত কৰোঁ, আমাৰ
সৃষ্টিকৰ্ত্তা যিহোৱাৰ আগত আঁঠু লওঁ; ৭ কিয়নো তেওঁেই আমাৰ ঈশ্বৰ,
আমি তেওঁৰ প্ৰজা; তেওঁৰ হাতৰ চৰণীয়া পথাৰৰ মেৰ-ছাগৰ নিচিনা।
"আজি যদি তোমালোকে তেওঁৰ মাত শুনিলেহেঁতেন!" ৮ তোমালোকৰ
পূৰ্বপুৰুষসকলৰ দৰে তোমালোকে নিজৰ নিজৰ হৃদয় কঠিন নকৰিবা;
তেওঁলোকে মৰুপ্ৰান্তৰৰ মাজত মিৰীবা আৰু মচ্ছাত মোৰ পৰীক্ষা
কৰিছিল। ৯ যদিও তোমালোকৰ পূৰ্বপুৰুষসকলে মোৰ কাৰ্য দেখিছিল,

তথাপিও তেওঁলোকে তাত মোক পৰীক্ষা কৰি প্ৰমাণ চাইছিল। ১০
চল্লিশ বছৰ ধৰি সেই কালৰ লোকসকলৰ প্ৰতি মই বিৰক্ত হৈছিলো।
মই কৈছিলোঁ, “এই লোকসকলৰ হৃদয় বিপথে পৰিচালিত হৈছে;
তেওঁলোকে মোৰ পথ নাজানে।” ১১ এই হেতুকে মই মোৰ ক্ৰোধত
শপত খাই কৈছিলোঁ, “তেওঁলোক মোৰ বিশ্ৰামত সোমাব নাপাব।”

**৯৬** তোমালোকে যিহোৱাৰ উদ্দেশ্যে এটি নতুন গীত গোৱা; হে
সমগ্ৰ পৃথিৱীৰ লোক, তোমালোকে যিহোৱাৰ উদ্দেশ্যে গীত গোৱা। ২
যিহোৱাৰ উদ্দেশ্যে গীত গোৱা, তেওঁৰ নামৰ ধন্যবাদ কৰা; দিনে
দিনে তেওঁৰ পৰিত্ৰাণৰ কথা প্ৰচাৰ কৰা। ৩ বিভিন্ন জাতিৰ মাজত
তেওঁৰ গৌৰৱ প্ৰচাৰ কৰা, সমুদায় লোকৰ মাজত তেওঁৰ আচৰিত কৰ্ম
ঘোষণা কৰা। ৪ কিয়নো যিহোৱা মহান আৰু অতি প্ৰশংসাৰ যোগ্য;
তেওঁ সকলো দেৱতাতকৈয়ো ভয়ানক। ৫ কিয়নো সকলো জাতিৰ
দেৱতাবোৰ অসাৰ মাত্ৰ, কিন্তু যিহোৱা আকাশমণ্ডলৰ সৃষ্টিকৰ্তা। ৬
মহিমা আৰু প্ৰতাপ তেওঁৰ সন্মুখত আছে; পৰাক্ৰম আৰু শোভা তেওঁৰ
পবিত্ৰ স্থানত বিদ্যমান। ৭ হে জাতিবোৰৰ ফৈদ সমূহ, তোমালোকে
যিহোৱাৰ গৌৰৱ কীৰ্ত্তন কৰা, যিহোৱাৰেই গৌৰৱ আৰু পৰাক্ৰম
কীৰ্ত্তন কৰা। ৮ তোমালোকে যিহোৱাৰ নামৰ উদ্দেশ্যে তেওঁৰ যোগ্য
গৌৰৱ কীৰ্ত্তন কৰা, নৈবেদ্যৰে সৈতে তেওঁৰ চোতাল কেইখনলৈ
আহাঁ। ৯ যিহোৱাৰ পবিত্ৰ শোভাত আহি তেওঁৰ আগত প্ৰণিপাত কৰা;
হে সমুদায় পৃথিৱী, তেওঁৰ সন্মুখত কম্পমান হোৱা। ১০ বিভিন্ন জাতিৰ
মাজত তোমালোকে কোৱা, “যিহোৱা ৰজা। জগতখনক স্থিৰভাৱে
স্থাপিত কৰা হ’ল; সেয়ে কেতিয়াও বিচলিত নহ’ব। তেওঁ ন্যায়েৰে
লোকসকলৰ বিচাৰ কৰিব।” ১১ আকাশমণ্ডলে আনন্দ কৰক, পৃথিৱীয়ে
উল্লাস কৰক; সমুদ্ৰ আৰু তাৰ সকলোৱে গৰ্জ্জন কৰক। ১২ পথাৰ
আৰু তাত থকা সকলো উল্লাসিত হওক; তেতিয়া অৰণ্যৰ সকলো
বৃক্ষই আনন্দ গান কৰিব। ১৩ যিহোৱাৰ সন্মুখতে গান কৰিব; কিয়নো
তেওঁ আহি আছে; তেওঁ পৃথিৱীৰ বিচাৰ কৰিবলৈ আহি আছে। তেওঁ
ধাৰ্মিকতাৰে জগতৰ বিচাৰ কৰিব; নিজ সত্যতাৰে জাতি সমূহৰ বিচাৰ
কৰিব।

**৯৭** যিহোৱাই ৰজা; পৃথিৱীয়ে আনন্দ কৰক; দ্বীপ সমূহেও আনন্দ
কৰক। ২ তেওঁৰ চাৰিওফালে মেঘ আৰু ঘন অন্ধকাৰে ঘেৰি আছে;
ধাৰ্মিকতা আৰু ন্যায় বিচাৰ তেওঁৰ সিংহাসনৰ ভিত্তিমূল। ৩ অগ্নিয়ে
তেওঁৰ আগে আগে গমন কৰে; চাৰিওফালে তেওঁৰ শত্রুবোৰক দগ্ধ
কৰিছে। ৪ তেওঁৰ বিজুলীৰ চমকে জগতখন আলোকময় হ’ল; তাকে
দেখি পৃথিৱী কম্পমান হ’ল। ৫ পৰ্বতবোৰ মমৰ দৰে গলি গ’ল
যিহোৱাৰ সন্মুখত, সমুদায় পৃথিৱীৰ সন্মুখত। ৬ আকাশমণ্ডলে তেওঁৰ
ধাৰ্মিকতা প্ৰচাৰ কৰিছে, সকলো জাতিয়ে তেওঁৰ গৌৰৱ দেখিছে। ৭
লজ্জিত হওঁক সেইসকল, যিসকলে মূৰ্ত্তি পূজা কৰে; যিসকলে অসাৰ
প্ৰতিমাত গৰ্ব কৰে; যিহোৱাৰ আগত সকলো দেৱতাই প্ৰণিপাত
কৰক। ৮ হে যিহোৱা, তোমাৰ ন্যায় বিচাৰৰ কাৰণে চিয়োন আনন্দিত
হৈছে, যিহূদাৰ জীয়ৰীসকল উল্লাসিত হৈছে। ৯ হে যিহোৱা, তুমি
সমুদায় পৃথিৱীৰে সৰ্ব্বোপৰি জনা; সকলো দেৱতাৰ ওপৰত তোমাৰ
স্থান। ১০ যিসকলে দুষ্টতাক ঘিণ কৰে, যিহোৱাই তেওঁলোকক প্ৰেম
কৰে; তেওঁ নিজৰ ভক্তসকলৰ প্ৰাণ ৰক্ষা কৰে, দুষ্টসকলৰ হাতৰ পৰা
তেওঁলোকক উদ্ধাৰ কৰে। ১১ ধাৰ্মিকৰ কাৰণে পোহৰ সিঁচি দিয়া
হয়; সৰল অন্তৰৰ লোকৰ কাৰণে আনন্দ দিয়া হয়। ১২ হে ধাৰ্মিক
লোকসকল, যিহোৱাত আনন্দ কৰা, তেওঁৰ পবিত্ৰ নামৰ ধন্যবাদ
কৰা।

**৯৮** তোমালোকে যিহোৱাৰ উদ্দেশ্যে নতুন গীত গোৱা; কাৰণ তেওঁ
অনেক আচৰিত কাৰ্য কৰিলে; তেওঁৰ সোঁ হাত আৰু তেওঁৰ পবিত্ৰ
বাহুৰে আমাক জয়ী কৰিলে। ২ যিহোৱাই তেওঁৰ পৰিত্ৰাণৰ কথা
জনালে; তেওঁ জাতি সমূহৰ দৃষ্টি গোচৰত নিজৰ ধাৰ্মিকতা মুকলিকৈ
প্ৰকাশ কৰিলে। ৩ ইস্ৰায়েল বংশৰ কাৰণে তেওঁৰ অটল প্ৰেম আৰু
বিশ্বস্ততাৰ কথা তেওঁ সোঁৱৰণ কৰিলে; পৃথিৱীৰ সকলো প্ৰান্তই আমাৰ
ঈশ্বৰৰ জয় দেখা পাব। ৪ হে সমুদায় পৃথিৱী, যিহোৱাৰ উদ্দেশ্যে
আনন্দ-ধ্বনি কৰা; উচ্চ ধ্বনিৰে আনন্দ গান কৰা, প্ৰশংসাৰ গীত
গোৱা। ৫ বীণা বজাই যিহোৱাৰ প্ৰশংসাৰ গীত গোৱা, বীণা বজাই
সুন্দৰ সুৰেৰে যিহোৱাৰ প্ৰশংসাৰ গীত গোৱা। ৬ তূৰী বজাই শিঙা

বাদ্যৰে সৈতে ৰজা যিহোৱাৰ আগত আনন্দ ধ্বনি কৰা। ৭ সমুদ্ৰ আৰু
তাৰ সকলোৱেই গৰ্জ্জন কৰক; জগত আৰু তাত বাস কৰা সকলোৱে
গৰ্জ্জন কৰক। ৮ নদীবোৰে হাত-তালি দিয়ক; পৰ্বতবোৰে একেলগে
আনন্দ গান কৰক, ৯ যিহোৱাৰ সন্মুখতে তেনে কৰক; কিয়নো
তেওঁ আহি আছে; পৃথিৱীৰ বিচাৰ কৰিবলৈ তেওঁ আহি আছে। তেওঁ
ধাৰ্মিকতাৰে জগতৰ বিচাৰ কৰিব; নিজ ন্যায়েৰে জাতি সমূহৰ বিচাৰ
কৰিব।

৯৯ যিহোৱাই ৰজা; জাতি সমূহ কম্পিত হওঁক। তেওঁ কৰূবৰ ওপৰত
সিংহাসনত বহি আছে; পৃথিৱী কঁপি উঠক। ২ চিয়োনত যিহোৱা মহান;
সমুদায় জাতিৰ উৰ্দ্ধত তেওঁক উন্নীত কৰা হ'ল। ৩ জাতিবোৰে তেওঁৰ
মহৎ আৰু ভয়াবহ নামৰ প্ৰশংসা কৰক; তেওঁ পবিত্ৰ। ৪ শক্তিশালী
ৰজাই ন্যায় ভাল পায়; তুমিয়েই ন্যায়বিচাৰ স্থাপন কৰিলা; তুমিয়েই
যাকোবৰ বংশৰ মাজত ন্যায় বিচাৰ আৰু ধাৰ্মিকতা সাধন কৰিলা। ৫
আমাৰ ঈশ্বৰ যিহোৱাৰ উচ্চ প্ৰশংসা কীৰ্ত্তন কৰা, তেওঁৰ ভৰিপীৰা
সন্মুখত প্ৰণিপাত কৰা; তেওঁ পবিত্ৰ। ৬ তেওঁৰ পুৰোহিতসকলৰ
মাজৰ মোচি আৰু হাৰোণ, আৰু প্ৰাৰ্থনা কৰা লোকসকলৰ মাজৰ
চমূৱেলে প্ৰাৰ্থনা কৰাৰ পাছত তেওঁ উত্তৰ দিছিল। ৭ তেওঁ মেঘ
স্তম্ভৰ মাজৰ পৰা তেওঁলোকক কথা কৈছিল; তেওঁ দিয়া আজ্ঞা আৰু
বিধিবোৰ তেওঁলোকে পালন কৰিছিল। ৮ হে আমাৰ ঈশ্বৰ যিহোৱা,
তুমি তেওঁলোকৰ প্ৰাৰ্থনাৰ উত্তৰ দিছিলা; তুমি তেওঁলোকলৈ এজন
ক্ষমাৱান ঈশ্বৰ আছিলা, তথাপিও তেওঁলোকৰ ভুল কৰ্মৰ প্ৰতিফল
দিছিলা। ৯ তোমালোকে আমাৰ ঈশ্বৰ যিহোৱাৰ গৌৰৱ কীৰ্ত্তন কৰা,
তেওঁৰ পবিত্ৰ পৰ্ব্বত অভিমুখে প্ৰণিপাত কৰা: কিয়নো আমাৰ ঈশ্বৰ
যিহোৱা পবিত্ৰ।

১০০ হে সমুদায় পৃথিৱী, তোমালোকে যিহোৱাৰ উদ্দেশ্যে আনন্দ
ধ্বনি কৰা। ২ আনন্দ মনেৰে যিহোৱাৰ সেৱা কৰা; আনন্দ গানেৰে
সৈতে তেওঁৰ উপস্থিতিৰ সন্মুখলৈ আহাঁ; ৩ তোমালোকে ইয়াকে জানা
যে, যিহোৱাই ঈশ্বৰ; তেঁৱেই আমাক নিৰ্ম্মাণ কৰিলে, আমি তেওঁৰেই;
আমি তেওঁৰ প্ৰজা আৰু তেওঁৰ চৰণীয়া পথাৰৰ মেৰ-ছাগ। ৪ তেওঁৰ

ধন্যবাদ কৰি তেওঁৰ দুৱাৰবোৰত প্ৰৱেশ কৰা, তেওঁৰ প্ৰশংসা কৰি
তেওঁৰ চোতাল কেইখনত সোমোৱা; তেওঁৰ স্তুতি কৰা, তেওঁৰ নামৰ
ধন্যবাদ কৰা। ৫ কিয়নো যিহোৱা মঙ্গলময়, তেওঁৰ দয়া চিৰকাল
স্থায়ী; তেওঁৰ বিশ্বস্ততা পুৰুষে পুৰুষে স্থায়ী।

**১০১** মই দয়া আৰু ন্যায় বিচাৰৰ গীত গাম; হে যিহোৱা, মই তোমাৰ
উদ্দেশ্যে প্ৰশংসাৰ গান গাম। ২ মই সিদ্ধ পথত চলিবলৈ মনোযোগ
দিম; তুমি কেতিয়া মোৰ ওচৰলৈ আহিবা? মোৰ ঘৰৰ ভিতৰত
মই হৃদয়ৰ সিদ্ধতাত চলিম। ৩ মই জঘন্য কোনো বিষয়কে মোৰ
চকুৰ আগত নাৰাখিম; বিপথে যোৱা লোকসকলৰ কাৰ্যক মই ঘিণ
কৰোঁ, সেইবোৰে মোক খামুচি ধৰিব নোৱাৰিব। ৪ কুটিল অন্তঃকৰণ
মোৰ পৰা দূৰ হ’ব; দুষ্টতাৰ লগত মোৰ সম্পৰ্ক নাথাকিব। ৫ যি
জনে গোপনে চুবুৰীয়াৰ অপবাদ চৰ্চ্চে, তেওঁক মই উচ্ছন্ন কৰিম;
গৰ্বিত দৃষ্টি আৰু অহংকাৰী মনৰ লোকক মই সহ্য নকৰিম। ৬ দেশৰ
বিশ্বাসী লোকসকলৰ ওপৰত মোৰ কৃপা দৃষ্টি থাকিব; তেওঁলোকে
মোৰ সৈতে বাস কৰিব। যিজন সিদ্ধ পথত চলে, তেওঁ মোৰ পৰিচাৰক
হ’ব। ৭ ছলনাকাৰীবোৰ মোৰ গৃহৰ ভিতৰত বাস কৰিব নোৱাৰিব;
মিথ্যাবাদীবোৰ মোৰ চকুৰ আগত থিৰে থাকিব নোৱাৰিব। ৮ প্ৰতি
ৰাতিপুৱাতে সকলো দুষ্ট লোকক মই বিনষ্ট কৰিম; যিহোৱাৰ নগৰৰ
পৰা সকলো অধৰ্মচাৰীকে উচ্ছন্ন কৰিম।

**১০২** হে যিহোৱা, মোৰ প্ৰাৰ্থনা শুনা; মোৰ কাতৰোক্তি তোমাৰ
আগত উপস্থিত হওক। ২ সঙ্কটৰ কালত তোমাৰ মুখ মোৰ পৰা
লুকুৱাই নাৰাখিবা; মোলৈ কাণ পাতা; মই প্ৰাৰ্থনা কৰা কালত শীঘ্ৰে
মোক উত্তৰ দিয়া। ৩ কিয়নো ধুঁৱাৰ নিচিনাকৈ মোৰ দিনবোৰ বিলীন
হৈ গৈছে, মোৰ অস্থিবোৰ যেন অগ্নিশালৰ জুইত জ্বলিছে। ৪ ৰ’দৰ
তাপত লেৰেলি যোৱা ঘাঁহৰ নিচিনাকৈ মোৰ হৃদয় শুকাই গৈছে; এনে
কি মই ভোজন কৰিবলৈও পাহৰি যাওঁ। ৫ মই বৰকৈ কেঁকাই থকাত
মোৰ অস্থিবোৰ শৰীৰৰ ছালত লাগি গৈছে। ৬ মই মৰুভূমিত বাস কৰা
এটি ফেঁচাৰ নিচিনা হ’লো, ধ্বংসস্তূপত থকা এটা অকলশৰীয়া সৰু
ফেঁচাৰ দৰে হ’লো। ৭ মই টোপনি যাব নোৱাৰো; ঘৰৰ চালত থকা

অকলশৰীয়া চৰাইজনীৰ সদৃশ হ'লো। ৮ মোৰ শত্ৰুবোৰে দিনে-
ৰাতিয়ে মোক বিদ্ৰূপ কৰে; মোৰ বিৰুদ্ধে খঙত উন্মত্ত লোকসকলে
মোৰ নাম শাও ৰূপে ব্যৱহাৰ কৰে। ৯ বাস্তৱিক মই আহাৰ স্বৰূপে ভস্ম
খাওঁ; পেয় দ্ৰব্যৰে সৈতে মোৰ চকুলো মিহলাও; ১০ ইয়াৰ কাৰণ হৈছে
তোমাৰ ৰোষ আৰু তোমাৰ ক্ৰোধ; কিয়নো তুমি মোক ওপৰলৈ তুলি
দলিয়াই পেলাই দিলা। ১১ মোৰ দিনবোৰ সন্ধিয়া পৰৰ ছাঁৰ নিচিনা
হৈছে; মই তৃণৰ দৰে শুকাই গৈছোঁ। ১২ কিন্তু, হে যিহোৱা, তুমি হ'লে
তোমাৰ সিংহাসনত চিৰকাললৈকে থাকা; তোমাৰ নামৰ যশস্যা পুৰুষে
পুৰুষে স্থায়ী। ১৩ তুমি উঠিবা, চিয়োনলৈ কৃপা কৰিবা; এতিয়াই তাৰ
প্ৰতি দয়া কৰাৰ সময় হৈছে, কাৰণ নিৰূপিত সময় উপস্থিত হ'ল।
১৪ তোমাৰ দাসবোৰৰ ওচৰত তাৰ শিলবোৰ প্ৰিয়, তাৰ ধূলিকণাৰ
ওপৰতো তেওঁলোকৰ মমতা আছে। ১৫ যিহোৱাৰ নামক সকলো
জাতিয়ে ভয় কৰিব, পৃথিৱীৰ সমুদায় ৰজা তোমাৰ প্ৰতাপত ভীত
হ'ব। ১৬ কিয়নো যিহোৱাই পুনৰ চিয়োনক নিৰ্ম্মাণ কৰিব; তেওঁ
নিজৰ মহিমাৰে দৰ্শন দিব। ১৭ সেই সময়ত তেওঁ দীনহীনবোৰৰ
প্ৰাৰ্থনাৰ উত্তৰ দিব, তেওঁলোকৰ প্ৰাৰ্থনাক তেওঁ অগ্ৰাহ্য নকৰিব। ১৮
ভাৱী বংশধৰসকলৰ কাৰণে এই সকলো কথা লিখি থোৱা হ'ব, যাতে
এতিয়া জন্ম নোহোৱা সন্তান সকলেও যিহোৱাৰ প্ৰশংসা কৰিব পাৰে।
১৯ কিয়নো তেওঁৰ পবিত্ৰ উচ্চ স্থানৰ পৰা তেওঁ তললৈ দৃষ্টি কৰিলে;
যিহোৱাই স্বৰ্গৰ পৰা পৃথিৱীলৈ দৃষ্টি কৰিলে, ২০ যাতে বন্দীসকলৰ
কেঁকনি শুনিব পাৰে, মৃত্যুদণ্ডৰে অভিযুক্ত সকলক মুক্ত কৰিব পাৰে।
২১ চিয়োনত যিহোৱাৰ নাম প্ৰচাৰিত হ'ব, যিৰূচালেমত তেওঁৰ প্ৰশংসা-
স্তুতি হ'ব, ২২ যেতিয়া যিহোৱাৰ সেৱা কৰিবৰ কাৰণে সকলো জাতি
আৰু ৰাজ্যবোৰ একত্ৰিত হ'ব। ২৩ জীৱন পথৰ মাজতেই যিহোৱাই
মোৰ শক্তি কমাই দিলে; মোৰ আয়ুস চুটি কৰি দিলে। ২৪ সেয়ে
মই কৈছো, "হে মোৰ ঈশ্বৰ, জীৱনৰ মাজভাগতে তুমি মোক তুলি
নিনিবা; তোমাৰ বছৰবোৰতো সৰ্বপুৰুষলৈকে স্থায়ী।" ২৫ অনেক
কালৰ আগতে তুমি এই বিশ্বৰ ভিত্তিমূল স্থাপন কৰিলা; আকাশমণ্ডল
তোমাৰ হাতৰ কাৰ্য। ২৬ সেইবোৰ ধ্বংস হৈ যাব, কিন্তু তুমি হ'লে

চিৰকাল থাকিবা; কাপোৰৰ দৰে সেই সকলো জীৰ্ণ হৈ যাব; তুমি
সেইবোৰক বস্ত্ৰৰ নিচিনাকৈ সলনি কৰিবা; তাতে সেইবোৰ আৰু
নাথাকিব। ২৭ কিন্তু তুমি হ'লে সদায় একে, তোমাৰ বছৰৰ কেতিয়াও
শেষ নহ'ব। ২৮ তোমাৰ দাসবোৰৰ সন্তান সকল জীয়াই থাকিব;
তেওঁলোকৰ বংশধৰসকল তোমাৰ উপস্থিতিত থিৰে থাকিব।

১০৩ হে মোৰ মন, যিহোৱাৰ ধন্যবাদ কৰা; হে মোৰ ভিতৰত থকা
সকলো অংশ, তেওঁৰ পবিত্ৰ নামৰ ধন্যবাদ কৰা। ২ হে মোৰ মন,
যিহোৱাৰ ধন্যবাদ কৰা, তেওঁৰ উপকাৰবোৰ নাপাহৰিবা। ৩ যি জনাই
তোমাৰ সকলো অপৰাধ ক্ষমা কৰে, তোমাৰ সকলো ৰোগ সুস্থ কৰে,
৪ যি জনাই তোমাৰ জীৱন বিনাশৰ পৰা মুক্ত কৰে, যি জনাই অসীম
দয়া আৰু নানা প্ৰকাৰ কৰুণাৰ মুকুটেৰে তোমাক বিভূষিত কৰে, ৫ যি
জনাই উত্তম দ্ৰব্যৰে তোমাৰ মুখ তৃপ্ত কৰে, তেওঁ ঈগল পক্ষীৰ দৰে
তোমাক নতুন যৌৱন কাল দিব। ৬ যিহোৱাই উচিত কাৰ্য কৰে; উপদ্ৰৱ
পোৱা লোকসকলৰ পক্ষে বিচাৰ নিষ্পত্তি কৰে। ৭ তেওঁ মোচিক নিজৰ
পথবোৰ, আৰু ইস্ৰায়েলৰ বংশধৰসকলক নিজৰ কাৰ্যবোৰ জনালে ৮
যিহোৱা স্নেহশীল আৰু কৃপাময়। তেওঁ ক্ৰোধত ধীৰ আৰু দয়াত মহান।
৯ তেওঁ সদায় ধমকি দি নাথাকিব, চিৰকাললৈকে ক্ৰোধো নাৰাখিব।
১০ তেওঁ আমাৰ পাপ অনুসাৰে আমালৈ কাৰ্য কৰা নাই, আমাৰ অধৰ্ম
অনুসাৰে আমাক প্ৰতিফল দিয়া নাই। ১১ কিয়নো পৃথিৱীৰ পৰা
আকাশ-মণ্ডল যিমান ওখ, তেওঁলৈ ভয় ৰাখোঁতাসকলৰ প্ৰতি তেওঁৰ
দয়াও সিমান মহৎ। ১২ পূৱৰ পৰা পশ্চিমলৈ যিমান দূৰ, তেওঁ আমাৰ
অপৰাধো আমাৰ পৰা সিমান দূৰ কৰিলে। ১৩ বাপেকে নিজ সন্তানক
স্নেহ কৰাৰ দৰে যিহোৱাই তেওঁলৈ ভয় ৰাখোঁতাসকলক স্নেহ কৰে; ১৪
কিয়নো তেৰেঁই আমাৰ গঠন জানে, আমি যে ধূলি মাথোন, তাক তেওঁ
সোঁৱৰণ কৰে। ১৫ মানুহৰ আয়ুস তৃণৰ নিচিনা; যেনেকৈ পথাৰৰ ফুল,
তেনেকৈয়ে তেওঁ প্ৰফুল্লিত হয়। ১৬ ফুলৰ ওপৰেদি বতাহ বলিলেই
ফুল সৰি নাইকিয়া হয়; সেই স্থানেও তাক চিনি নাপায়। ১৭ কিন্তু
যিহোৱাক ভয় কৰাসকলৰ ওপৰত তেওঁৰ দয়া অনাদিকালৰ পৰা
অনন্তকাল পৰ্যন্ত থাকে, আৰু তেওঁৰ ধাৰ্মিকতা বংশৰ পিছত বংশ

বৰ্তি থাকে। ১৮ তেওঁলোকে যিহোৱাৰ ব্যৱস্থা মানি চলে আৰু তেওঁৰ
আদেশবোৰ সোঁৱৰণ কৰি পালন কৰে। ১৯ যিহোৱাই স্বৰ্গত নিজৰ
সিংহাসন স্থাপন কৰিলে; তেওঁৰ শাসন সকলোৰে ওপৰত আছে। ২০
হে যিহোৱাৰ দূতবোৰ, তোমালোক পৰাক্ৰমী বীৰ; যিহোৱাৰ কথাৰ
বাধ্যতাত থাকি তেওঁৰ আজ্ঞা পালন কৰাসকল, তোমালোকে তেওঁৰ
ধন্যবাদ কৰা; ২১ হে যিহোৱাৰ বাহিনী সমূহ, যিহোৱাৰ ইচ্ছা পূৰণ
কৰা তেওঁৰ পৰিচাৰকসকল, তেওঁৰ ধন্যবাদ কৰা। ২২ হে যিহোৱাৰ
সকলো নিৰ্মিত বস্তু, তেওঁৰ অধীনৰ সকলো স্থানত তেওঁৰ ধন্যবাদ
কৰা; হে মোৰ মন, যিহোৱাৰ ধন্যবাদ কৰা।

**১০৪** হে মোৰ মন, যিহোৱাৰ ধন্যবাদ কৰা। হে মোৰ ঈশ্বৰ যিহোৱা,
তুমি অতি মহান; তুমি গৌৰৱ আৰু মহিমাৰ সাজেৰে বিভূষিত। ২ বস্ত্ৰৰ
দৰে তুমি নিজকে দীপ্তিৰে ঢাকিছা, আকাশমণ্ডলক তুমি চন্দ্ৰতাপৰ
দৰে বিস্তৃত কৰিছা। ৩ তোমাৰ কক্ষৰ চটি-কাঠ তুমি জলৰাশিত
স্থাপন কৰিছা; মেঘবোৰক তুমি নিজৰ ৰথ কৰিছা, বতাহৰ ডেউকাৰ
ওপৰত তুমি চলাচল কৰা। ৪ তুমি বতাহক তোমাৰ দূত কৰিছা;
অগ্নিশিখাক নিজৰ পৰিচাৰক কৰিছা। ৫ তুমি পৃথিৱীক তাৰ নিজৰ
ভিত্তিমূলৰ ওপৰত স্থাপন কৰিছা; সেয়ে কেতিয়াও লৰচৰ নহ’ব। ৬
তুমি পৃথিৱীক কাপোৰেৰে ঢকাৰ দৰে গভীৰ জলেৰে ঢাকিছিলা। সেই
জল সমূহে পৰ্ব্বতবোৰো ঢাকিছিল। ৭ কিন্তু সেই জল সমূহ তোমাৰ
ধমকিত পলাল; তোমাৰ গৰ্জ্জনৰ শব্দত সেইবোৰ বেগেৰে গুছি গ’ল।
৮ পৰ্ব্বতবোৰ ওখ হ’ল আৰু উপত্যকাবোৰ চাপৰ হ’ল; তুমি জল
সমূহৰ কাৰণে যি ঠাই নিৰূপন কৰিলা, জল সেই ঠাইলৈ গ’ল। ৯
এইভাৱে তুমি পানীৰ সীমা স্থাপন কৰিলা, যাতে পানীয়ে পুনৰ সীমা
পাৰ হৈ পৃথিৱীক ঢাকিব নোৱাৰে। ১০ উপত্যকাবোৰত তুমিয়েই
জুৰিবোৰ পঠাই দিয়া; সেইবোৰ পৰ্ব্বতবোৰৰ মাজেদি বৈ যায়। ১১
সেইবোৰে সকলো বনৰীয়া পশুকে পান কৰিবলৈ পানী যোগায়;
বনৰীয়া গাধবোৰে নিজৰ তৃষ্ণা পলুৱায়। ১২ জুৰিবোৰৰ দাঁতিত
আকাশৰ পক্ষীবোৰে বাহ লয়, গছৰ ডালবোৰৰ মাজত সেইবোৰে
গীত গায়। ১৩ তেওঁ আকাশৰ পৰা পৰ্ব্বতবোৰত পানী সিঁচি দিয়ে;

তোমাৰ কৰ্মৰ ফলেৰে সৈতে পৃথিৱীখন পৰিতৃপ্ত হয়। ১৪ তুমিয়েই পশুৰ কাৰণে ঘাঁহ আৰু মানুহৰ কাৰণে শস্য উৎপন্ন হ'বলৈ দিয়া, যাতে ভূমিৰ পৰা ভৱিষ্যতৰ আহাৰ যোগান হয়; ১৫ যাতে মানুহৰ মনক আনন্দ দিয়া দ্ৰাক্ষাৰস, মুখ উজ্জ্বল কৰা তেল, আৰু মানুহৰ হৃদয়ক সবল কৰা আহাৰ যোগান হয়। ১৬ যিহোৱাৰ এনে গছবোৰে বৃষ্টিৰ প্ৰচুৰ পানী পায়; তেওঁ ৰোপন কৰা লিবানোনৰ এৰচ গছবোৰেও প্ৰচুৰ বৃষ্টি পায়। ১৭ সেই গছবোৰত চৰাইবোৰে বাহ লয়, দেৱদাৰু গছবোৰত হাড়গিলাই ঘৰ সাজে। ১৮ ওখ ওখ পৰ্ব্বতবোৰ বনৰীয়া ছাগৰ আবাস; শিলবোৰ চাফন পশুৰ আশ্ৰয়স্থান। ১৯ ঋতু নিৰূপন কৰিবলৈ তুমি চন্দ্ৰ নিৰ্ম্মাণ কৰিলা; তুমি নিৰূপন কৰা অনুসাৰে সূৰ্যই নিজৰ অস্ত যোৱা সময় জানে। ২০ তুমি অন্ধকাৰ কৰিলে ৰাতি হয়; অৰণ্যৰ পশুবোৰে তেতিয়া ঘূৰি ফুৰে। ২১ যুবা সিংহবোৰে চিকাৰ বিচাৰি গৰ্জ্জন কৰে; ঈশ্বৰৰ ওচৰত সিহঁতৰ আহাৰ বিচাৰে। ২২ সূৰ্য উদয় হ'লে সিহঁত গুছি যায় আৰু নিজ নিজ গাতত শয়ন কৰে। ২৩ মানুহে নিজৰ নিজৰ কামলৈ ওলাই যায়; সন্ধ্যালৈকে পৰিশ্ৰম কৰে। ২৪ হে যিহোৱা, তোমাৰ সৃষ্টিৰ কাৰ্য কিমান বহুমুখী! তোমাৰ জ্ঞানেৰে তুমি সেই সকলোকে নিৰ্ম্মাণ কৰিলা; সমগ্ৰ বিশ্ব তোমাৰ সৃষ্ট বস্তুৰে পৰিপূৰ্ণ। ২৫ সৌৱা সমুদ্ৰ, বৃহৎ আৰু বিস্তীৰ্ণ; তাৰ মাজত বগাই ফুৰা সৰু বৰ অসংখ্য উৰগ প্ৰাণী আছে। ২৬ তাৰ মাজত জাহাজবোৰ চলে; তাত লিবিয়াথনো থাকে; তাক তুমি সাগৰত খেলা কৰিবলৈ নিৰ্ম্মাণ কৰিলা। ২৭ সিহঁত সকলোৱেই তোমাৰ অপেক্ষাত থাকে; যেন তুমি যথা সময়ত সিহঁতক আহাৰ দিয়া। ২৮ তুমি সিহঁতক দিলে, সিহঁতে তাক তুলি লয়; তুমি তোমাৰ হাত মুকলি কৰিলে, সিহঁতে ভাল ভাল বস্তু পাই পৰিতৃপ্ত হয়। ২৯ তুমি মুখ লুকুৱালে, সিহঁত বিহ্বল হয়; তুমি সিহঁতৰ নিশ্বাস নিলে সিহঁত মৰি পুনৰায় ধুলিলৈ ওভটে। ৩০ তোমাৰ আত্মা পঠালেই সিহঁতৰ সৃষ্টি হয়, আৰু তুমি ভূমিতল নতুন কৰি তোলা। ৩১ যিহোৱাৰ গৌৰৱ অনন্তকাল থাকক; যিহোৱাই নিজ কাৰ্যবোৰত আনন্দ কৰক। ৩২ তেওঁ পৃথিৱীলৈ দৃষ্টি কৰিলে, সেয়ে কম্পিত হয়: তেওঁ পৰ্ব্বতবোৰ স্পৰ্শ কৰিলে, সেইবোৰ ধুঁমায়িত

হয়। ৩৩ মই জীয়াই থাকোঁমানে যিহোৱাৰ উদ্দেশ্যে গান কৰিম; মই
থকালৈকে মোৰ ঈশ্বৰৰ উদ্দেশ্যে প্ৰশংসাৰ গীত গাম। ৩৪ তেওঁৰ
ওচৰত মোৰ ধ্যান মধুৰ হওক; মই যিহোৱাত আনন্দ কৰিম। ৩৫
পাপীবোৰ পৃথিৱীৰ পৰা উচ্ছন্ন হওক; দুষ্টলোক আৰু নাথাকক। হে
মোৰ মন, যিহোৱাৰ ধন্যবাদ কৰা। তোমালোকে যিহোৱাৰ প্ৰশংসা
কৰা।

**১০৫** যিহোৱাৰ ধন্যবাদ কৰা, তেওঁৰ নামত প্ৰাৰ্থনা কৰা;
জাতিবোৰৰ মাজত তেওঁৰ কাৰ্যবোৰ জনোৱা। ২ তেওঁৰ উদ্দেশ্যে
গীত গোৱা, তেওঁৰ উদ্দেশ্যে প্ৰশংসাৰ গান কৰা; তেওঁৰ আচৰিত
কাৰ্যবোৰৰ বিষয়ে কোৱা। ৩ তোমালোকে তেওঁৰ পবিত্ৰ নামৰ গৌৰৱ
কৰা; যিহোৱাক বিচৰাসকলৰ হৃদয়ে আনন্দ কৰক। ৪ তোমালোকে
যিহোৱা আৰু তেওঁৰ শক্তি বিচাৰা; নিতৌ তেওঁৰ সাক্ষাৎ হ'বলৈ
বিচাৰা। ৫ তেওঁ কৰা আচৰিত কাৰ্যবোৰ সোঁৱৰণ কৰা; তেওঁৰ অদ্ভুত
কাৰ্য আৰু তেওঁৰ মুখে কৰা বিচাৰবোৰ সোঁৱৰণ কৰা। ৬ তোমালোক
তেওঁৰ দাস অব্ৰাহামৰ বংশধৰ, তেওঁৰ মনোনীত যাকোবৰ সন্তান। ৭
তেৱেঁই আমাৰ ঈশ্বৰ যিহোৱা; তেওঁৰ শাসন-প্ৰণালী সমুদায় পৃথিৱীত
বিদ্যমান। ৮ তেওঁ অনন্তকাললৈকে নিজ নিয়ম সোঁৱৰণ কৰে, আৰু
সেই বাক্যৰ আদেশ তেওঁ হাজাৰ হাজাৰ পুৰুষলৈকে দিলে। ৯ সেই
নিয়ম তেওঁ অব্ৰাহামৰে সৈতে স্থাপন কৰিছিল আৰু ইচহাকৰ আগত
প্ৰতিজ্ঞা কৰিছিল। ১০ তেওঁ তাক যাকোবৰ কাৰণে এক বিধি ৰূপে,
ইস্ৰায়েলৰ কাৰণে এটি অনন্তকলীয়া নিয়ম ৰূপে স্থিৰ কৰিলে। ১১
তেওঁ ক'লে, “মই তোমাক কনান দেশখন দিম; সেয়াই হ'ব তোমাৰ
আধিপত্য। ১২ সেই কালত তেওঁলোকৰ সংখ্যা অধিক নাছিল,
তেওঁলোক অতি তাকৰ আছিল আৰু তাত তেওঁলোক প্ৰবাসী আছিল;
১৩ তেওঁলোকে যেতিয়া তাত এটা জাতিৰ পৰা আন জাতিৰ ওচৰলৈ,
এক ৰাজ্যৰ পৰা আন লোক সমূহৰ মাজত ভ্ৰমি ফুৰিছিল, ১৪ তেতিয়া
তেওঁ কোনো মনুষ্যকে তেওঁলোকৰ ওপৰত উপদ্ৰৱ কৰিবলৈ নিদিলে;
বৰং তেওঁলোকৰ কাৰণে তেওঁ ৰজাসকলক ধমক দি কৈছিল, ১৫
“তোমালোকে মোৰ অভিষিক্ত ব্যক্তিসকলক স্পৰ্শ নকৰিবা; মোৰ

ভাববাদীসকলৰো কোনো অপকাৰ নকৰিবা।” ১৬ তেওঁ সেই দেশলৈ
দুৰ্ভিক্ষ মাতি আনিলে, তেওঁ সম্পূৰ্ণৰূপে শস্যৰ ভঁৰালবোৰ ধ্বংস
কৰি পেলালে। ১৭ তেতিয়া তেওঁ তেওঁলোকৰ আগেয়ে এজন মানুহ
পঠালে- যিজনৰ নাম যোচেফ আছিল; তেওঁক দাসৰূপে বেচা হ’ল।
১৮ লোকসকলে তেওঁৰ ভৰিত বেৰীৰ শিকলিৰে দুখ দিলে; লোহাৰ
শিকলিৰে তেওঁৰ ডিঙি বন্ধা হ’ল। ১৯ যেতিয়ালৈকে তেওঁ কোৱা
বাক্য সিদ্ধ নহয়, তেতিয়ালৈকে যিহোৱাৰ বাক্যই তেওঁক পৰীক্ষা
কৰি আছিল। ২০ ৰজাই লোক পঠাই তেওঁক মুকলি কৰি দিলে,
লোকসকলৰ শাসনকৰ্তাই তেওঁক মুক্ত কৰিলে। ২১ তেওঁ তেওঁক
নিজৰ ৰাজগৃহৰ প্ৰভু পাতিলে, সকলো সম্পত্তিৰ কৰ্তা কৰিলে। ২২
যাতে তেওঁ তেওঁৰ ৰাজকৰ্মচাৰীসকলক ইচ্ছা অনুসাৰে অধীনত ৰাখিব
পাৰে, আৰু তেওঁৰ বৃদ্ধসকলক জ্ঞানৰ পৰামৰ্শ দিব পাৰে। ২৩ তাৰ
পাছত ইস্রায়েল মিচৰ দেশলৈ আহিল, যাকোবে হাম বংশীয়সকলৰ
দেশত প্ৰবাস কৰিলে। ২৪ ঈশ্বৰে নিজৰ লোকসকলৰ বংশ অতিশয়
বৃদ্ধি কৰিলে, শত্ৰুবোৰতকৈয়ো তেওঁলোকক শক্তিশালী কৰিলে।
২৫ তেওঁ মিচৰীয়সকলৰ অন্তৰক এনে পৰিবৰ্তন আনি দিলে যে,
তেওঁলোকে তেওঁৰ লোকসকলক ঘৃণা কৰিলে; তেওঁৰ দাসবোৰৰ
প্ৰতি ধূৰ্ত ব্যৱহাৰ কৰিলে। ২৬ তেওঁ নিজ দাস মোচিক আৰু তেওঁৰ
মনোনীত হাৰোণক পঠালে; ২৭ তেওঁলোকে তেওঁলোকৰ মাজত
নানা চিন আৰু হাম দেশত অদ্ভুত লক্ষণবোৰ দেখুৱালে; ২৮ তেওঁ
অন্ধকাৰ পঠালে, তাতে সেই দেশ আন্ধাৰ হ’ল; তেওঁৰ বাক্যৰ বিৰুদ্ধে
তেওঁলোকে বিৰুদ্ধাচৰণ নকৰিলে। ২৯ তেওঁলোকৰ জল সমূহক তেওঁ
তেজলৈ পৰিণত কৰিলে; তাতে তেওঁলোকৰ সকলো মাছ মৰিল।
৩০ তেওঁলোকৰ দেশ বেঙেৰে ভৰি পৰিল; এনে কি, তেওঁলোকৰ
ৰজাসকলৰ ৰাজপ্ৰাসাদো বেঙেৰে ভৰি পৰিল। ৩১ তেওঁৰ কথাতেই
তেওঁলোকৰ সকলো অঞ্চলত জাকে জাকে ডাঁহ আৰু ওকণী আহিল।
৩২ তেওঁ তেওঁলোকক বৰষুণৰ পৰিবৰ্তে শিলাবৃষ্টি দিলে; গোটেই দেশ
বিজুলী আৰু বজ্ৰপাতৰ অগ্নি বৰষালে। ৩৩ তেওঁলোকৰ দ্ৰাক্ষালতা
আৰু ডিমৰু গছবোৰত তেওঁ আঘাত কৰিলে, আৰু দেশৰ গছবোৰ

ভাঙি পেলালে। ৩৪ তেওঁৰ কথাতেই কাকতি ফৰিং আহিল, অসংখ্য
সৰু ফৰিঙো আহিল। ৩৫ সেইবোৰে তেওঁলোকৰ দেশৰ সকলো
শাক-পাচলি আৰু ভূমিৰ সকলো শস্য খাই পেলালে। ৩৬ তাৰ পাছত
তেওঁলোকৰ সকলো শক্তিৰ প্ৰথম ফল অৰ্থাৎ দেশৰ জ্যেষ্ঠ পুত্ৰ
সংহাৰ কৰিলে। ৩৭ পাছত তেওঁ লোকসকলক ৰূপ আৰু সোণে সৈতে
উলিয়াই আনিলে; তেওঁৰ ফৈদ সমূহৰ মাজত এজনো দুৰ্ব্বল হোৱা
নাছিল। ৩৮ তেওঁলোক গুছি যোৱাত মিচৰীয়সকলে আনন্দ কৰিলে,
কিয়নো তেওঁলোকে ইস্ৰায়েলীয়াসকলক ভীষণ ভয় কৰিছিল। ৩৯
তেওঁ চন্দ্ৰতাপৰ কাৰণে মেঘ বিস্তাৰ কৰিলে; ৰাতি পোহৰ দিবৰ
কাৰণে অগ্নি দিলে। ৪০ তেওঁলোকে আহাৰ বিচাৰিছিলে, তাতে
তেওঁ তেওঁলোকক বটা চৰাই আনি দিলে; আৰু স্বৰ্গীয় আহাৰেৰে
তেওঁলোকক তৃপ্ত কৰিলে। ৪১ তেওঁ শিল খুলি দিলে, তাতে জল
ওলাই আহিল; সেয়ে নদীৰ দৰে মৰুভূমিৰ মাজেদি বৈ গ'ল। ৪২ তেওঁ
তেওঁৰ পবিত্ৰ প্ৰতিজ্ঞা সোঁৱৰণ কৰিলে; তেওঁৰ দাস অব্ৰাহামকো
সোঁৱৰণ কৰিলে। ৪৩ এইদৰে তেওঁ নিজৰ লোক সমূহক আনন্দেৰে
সৈতে, তেওঁৰ মনোনীত লোকসকলক গীত-মাতেৰে সৈতে উলিয়াই
আনিলে। ৪৪ তেওঁ তেওঁলোকক অন্যান্য জাতিবোৰৰ দেশবোৰ দিলে;
সেই সকলো জাতিৰ পৰিশ্ৰমৰ ফল তেওঁৰ লোকসকলে অধিকাৰ
কৰিলে, ৪৫ যেন তেওঁলোকে তেওঁৰ বিধিবোৰ পালন কৰে আৰু
তেওঁৰ ব্যৱস্থাবোৰ মানি চলে। তোমালোকে যিহোৱাৰ প্ৰশংসা কৰা।

**১০৬** তোমালোকে যিহোৱাৰ প্ৰশংসা কৰা! তোমালোকে যিহোৱাৰ
ধন্যবাদ কৰা, কিয়নো তেওঁ মঙ্গলময়; কাৰণ তেওঁৰ দয়া চিৰকাললৈকে
থাকে। ২ কোনে যিহোৱাৰ মহৎ কাৰ্যবোৰ বৰ্ণনা কৰিব পাৰে?
কোনে তেওঁৰ সকলো প্ৰশংসা প্ৰকাশ কৰিব পাৰে? ৩ ধন্য সেই
লোকসকল, যি সকলে ন্যায় কাৰ্য কৰে আৰু সকলো সময়তে ধৰ্মাচৰণ
কৰে। ৪ হে যিহোৱা, তোমাৰ লোকসকলৰ প্ৰতি তুমি মৰম প্ৰকাশ
কৰাৰ সময়ত মোকো সোঁৱৰণ কৰিবা; তেওঁলোকক উদ্ধাৰ কৰাৰ
সময়ত মোকো সহায় কৰিবা। ৫ যাতে ময়ো যেন তোমাৰ মনোনীত
লোকসকলৰ উন্নতি দেখা পাওঁ, তোমাৰ জাতিৰ আনন্দত আনন্দিত

হওঁ, আৰু তোমাৰ অধিকাৰৰ সৈতে গৌৰৱ কৰিব পাৰোঁ। ৬ আমাৰ
পূৰ্বপুৰুষসকলৰ দৰে আমিও পাপ কৰিলোঁ; আমি অধৰ্ম কৰিলোঁ,
দুষ্টতাৰ কাৰ্য কৰিলোঁ। ৭ মিচৰত থকাৰ সময়ত আমাৰ পূৰ্বপুৰুষসকলে
তোমাৰ আচৰিত কাৰ্যবোৰৰ মান্যতা নিদিলে; তোমাৰ প্ৰচুৰ প্ৰেমৰ
কথাও সোঁৱৰণ নকৰিলে; বৰং তেওঁলোকে সমুদ্ৰৰ তীৰত চূফ সাগৰৰ
দাঁতিত সৰ্বোপৰি জনাৰ বিৰুদ্ধাচৰণ কৰিলে। ৮ তথাপিও তেওঁ নিজৰ
নামৰ অৰ্থে তেওঁলোকক উদ্ধাৰ কৰিলে, যাতে তেওঁ নিজৰ পৰাক্ৰম
প্ৰকাশ কৰিব পাৰে। ৯ তেওঁৰ ধমকিত চূফ সাগৰ শুকাই গ'ল; তেওঁ
তেওঁলোকক মৰুভূমিৰ মাজেদি যোৱাৰ দৰে অগাধ জলৰ মাজেদি
গমন কৰালে। ১০ এইদৰে তেওঁ তেওঁলোকক ঘৃণাকাৰীবোৰৰ হাতৰ
পৰা ৰক্ষা কৰিলে, শত্ৰুৰ হাতৰ পৰা তেওঁলোকক মুক্ত কৰিলে। ১১
জল সমূহে তেওঁলোকৰ শত্ৰুবোৰক ঢাকিলে, এজনো বাচি নাথাকিল।
১২ তেতিয়া তেওঁলোকে যিহোৱাৰ বাক্যত বিশ্বাস কৰিলে; তেওঁৰ
প্ৰশংসাৰ গান কৰিলে। ১৩ কিন্তু তেওঁৰ কাৰ্যবোৰৰ কথা তেওঁলোকে
শীঘ্ৰেই পাহৰিলে; তেওঁলোকে তেওঁৰ পৰামৰ্শলৈ বাট নাচালে; ১৪
কিন্তু মৰুপ্ৰান্তৰত তেওঁলোকে অতিশয় লোভ কৰিলে, মৰুভূমিত
ঈশ্বৰক পৰীক্ষা কৰিলে। ১৫ তেওঁলোকে যিহকে বিচাৰিলে, তেওঁ
তাকে তেওঁলোকক দিলে; কিন্তু তেওঁলোকৰ মাজলৈ পঠাই দিলে এক
ক্ষয়ৰূপ ৰোগ। ১৬ তেওঁলোকে ছাউনিত থকাৰ সময়ত মোচি, আৰু
যিহোৱাৰ পবিত্ৰ লোক হাৰোণক ঈৰ্ষা কৰিলে। ১৭ পৃথিৱীয়ে মুখ
খুলি দাথনক গ্ৰাস কৰিলে আৰু অবীৰামৰ দলক ঢাকি পেলালে। ১৮
তেওঁলোকৰ দলৰ মাজত জুই জ্বলিল। অগ্নিশিখাই দুষ্ট লোকসকল দগ্ধ
কৰিলে। ১৯ তেওঁলোকে হোৰেব পাহাৰত এটা দামুৰি সাজিলে, আৰু
সাঁচত ঢলা মূৰ্তিৰ পূজা কৰিলে। ২০ এইদৰে তেওঁলোকে ঘাঁহ খোৱা
গৰুৰ মুৰ্ত্তিৰে সৈতে ঈশ্বৰৰ গৌৰৱ সলনি কৰিলে। ২১ তেওঁলোকৰ
উদ্ধাৰকৰ্তা ঈশ্বৰক তেওঁলোকে পাহৰি গ'ল, যি জনাই মিচৰত অনেক
মহৎ কাৰ্য কৰিছিল; ২২ হাম দেশত কৰা নানা আচৰিত কাৰ্যবোৰৰ
বিষয়ে আৰু চূফ সাগৰৰ দাঁতিত কৰা পৰাক্ৰম কাৰ্যবোৰৰ কথা
তেওঁলোকে পাহৰি গ'ল। ২৩ সেয়ে তেওঁ ক'লে, তেওঁলোকক ধ্বংস

কৰিব লাগিব। কিন্তু তেওঁৰ মনোনীত ব্যক্তি মোচি ভগা গড়ত থিয় হৈ তেওঁলোকৰ মধ্যস্থ হ'ল, আৰু তেওঁলোকক ধ্বংস কৰা ক্ৰোধৰ পৰা যেন তেওঁ মন ঘূৰায়, তাৰ বাবে তেওঁ তেওঁৰ সন্মুখত থিয় হ'ল। ২৪ তাৰ পাছত তেওঁলোকে সেই মনোহৰ দেশক তুচ্ছ কৰিলে, তেওঁলোকে যিহোৱাৰ কথাত বিশ্বাস নকৰিলে; ২৫ নিজ নিজ তম্বুত তেওঁলোকে ভোৰ ভোৰালে, যিহোৱাৰ বাক্যলৈ তেওঁলোকে কৰ্ণপাত নকৰিলে। ২৬ তাতে তেওঁ তেওঁলোকৰ বিৰুদ্ধে হাত উঠাই শপত খাই ক'লে, “মই তেওঁলোকক মৰুভূমিতে নিপাত কৰিম; ২৭ তেওঁলোকৰ বংশধৰসকলক জাতিবোৰৰ মাজত নিপাত কৰিম। বিভিন্ন দেশত ছিন্ন-ভিন্ন কৰিম। ২৮ পাছত তেওঁলোক বাল পিয়োৰৰ প্ৰতি আসক্ত হ'ল; মৃত লোকৰ উদ্দেশ্যে দিয়া বলিৰ মাংস ভোজন কৰিলে। ২৯ এই দৰে তেওঁলোকে নিজৰ অপকৰ্মৰ দ্বাৰাই যিহোৱাক ক্ৰোধত উত্তেজিত কৰিলে। তাতে তেওঁলোকৰ মাজত মহামাৰীৰ প্ৰাদুৰ্ভাৱ হ'ল। ৩০ তেতিয়া পীনহচে উঠি বিচাৰ সাধন কৰিলে, তাতে মহামাৰী নিবৃত্ত হ'ল। ৩১ পীনহচৰ পক্ষে সেয়া ধাৰ্মিকতা বুলি গণিত হ'ল; পুৰুষে পুৰুষে চিৰকালৰ কাৰণে গণিত হ'ল। ৩২ তেওঁলোকে মিৰীবাৰ জলৰ দাঁতিত যিহোৱাৰ খং তুলিছিল, আৰু তেওঁলোকৰ কাৰণেই মোচিলৈ অমঙ্গল ঘটিছিল; ৩৩ তেওঁলোকে তেওঁৰ আত্মাৰ বিৰুদ্ধে বিদ্ৰোহ কৰিলে, তাতে মোচিৰ মুখৰ পৰা অবিবেচনাৰ কথা বাহিৰ হ'ল। ৩৪ যিহোৱাই তেওঁলোকক আন জাতিবোৰক ধ্বংস কৰিবলৈ যি আজ্ঞা দিছিল, তেওঁলোকে তাক নকৰিলে। ৩৫ বৰং সেই সকলো জাতিৰ লগত তেওঁলোকে নিজক মিশ্ৰিত কৰিলে, আৰু তেওঁলোকৰ আচাৰ-ব্যৱহাৰ শিকিলে। ৩৬ তেওঁলোকৰ মূৰ্তিবোৰক তেওঁলোকে সেৱা-পূজা কৰিলে, আৰু সেইবোৰেই তেওঁলোকৰ ফান্দস্বৰূপ হ'ল। ৩৭ এনে কি, ভূতবোৰৰ উদ্দেশ্যে তেওঁলোকে নিজৰ পুত্ৰ-কন্যাবোৰক বলি দিলে। ৩৮ তেওঁলোকে নিৰ্দোষীবোৰৰ ৰক্তপাত কৰিলে, তেওঁলোকৰ পুত্ৰ-কন্যাবোৰৰ ৰক্তপাত কৰিলে, কনানীয়া মূৰ্তিবোৰৰ উদ্দেশ্যে সন্তানবোৰক বলি দিলে, গোটেই দেশ তেজেৰে অপবিত্ৰ হ'ল। ৩৯ এইদৰেই তেওঁলোক নিজ নিজ কৰ্মৰ দ্বাৰাই অশুচি হ'ল; কাৰ্যৰ

দ্বাৰা তেওঁলোকে নিজকে ব্যভিচাৰী কৰিলে। ৪০ তাতে নিজৰ
লোকসকলৰ ওপৰত যিহোৱাৰ ক্ৰোধ জ্বলি উঠিল; নিজৰ অধিকাৰৰ
লোকসকলৰ প্ৰতি তেওঁৰ ঘৃণা উপজিল। ৪১ তেওঁ অন্যান্য জাতিবোৰৰ
হাতত তেওঁলোকক শোধাই দিলে; তেওঁলোকক ঘিণ কৰাসকলেই
তেওঁলোকক শাসন কৰিলে। ৪২ তেওঁলোকৰ শত্ৰুবোৰে তেওঁলোকৰ
ওপৰত উপদ্ৰৱ চলালে, তেওঁলোকৰ ক্ষমতাৰ অধীনত তেওঁলোক
বশীভূত হ'ল। ৪৩ তেওঁ অনেকবাৰ তেওঁলোকক উদ্ধাৰ কৰিলে; কিন্তু
তেওঁলোক নিজৰ মন্ত্ৰণাতে বিদ্ৰোহী হ'ল; নিজৰ অপৰাধৰ কাৰণেই
তেওঁলোক নীহ অৱস্থাত পৰিল। ৪৪ তথাপি তেওঁ যেতিয়া তেওঁলোকৰ
কাকুতি শুনিলে, তেওঁলোকৰ সঙ্কটৰ প্ৰতি দৃষ্টিপাত কৰিলে। ৪৫ তেওঁ
তেওঁলোকৰ কাৰণে স্থাপন কৰা নিজৰ নিয়মটি সোঁৱৰণ কৰিলে;
নিজৰ অসীম গভীৰ প্ৰেম অনুসাৰে তেওঁলোকক দয়া কৰিলে। ৪৬
যিসকলে তেওঁলোকক বন্দী কৰিছিল, তেওঁলোক সকলোৰে দৃষ্টিত
তেওঁ তেওঁলোকক দয়াৰ পাত্ৰ কৰিলে। ৪৭ হে আমাৰ ঈশ্বৰ যিহোৱা,
আমাক উদ্ধাৰ কৰা, জাতিবোৰৰ মাজৰ পৰা তুমি আমাক একগোট
কৰা, যাতে আমি তোমাৰ পবিত্ৰ নামৰ ধন্যবাদ কৰিব পাৰোঁ, যেন
তোমাৰ প্ৰশংসাৰ জয়গান কৰোঁ। ৪৮ অনাদি কালৰ পৰা অনন্ত
কাললৈকে, ধন্য ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱা; সকলো লোকে "আমেন"
বুলি কওক। তোমালোকে যিহোৱাৰ প্ৰশংসা কৰা।

**১০৭** যিহোৱাৰ ধন্যবাদ কৰা, কিয়নো তেওঁ মঙ্গলময়; কাৰণ তেওঁৰ
দয়া চিৰকাললৈকে থাকে! ২ যিহোৱাৰ মুক্ত লোকসকলে এই কথা
কওঁক, যি সকলক তেওঁ শত্ৰুৰ হাতৰ পৰা মুক্ত কৰিলে, ৩ যি সকলক
তেওঁ নানা দেশৰ পৰা গোট খোৱালে, পূব-পশ্চিম আৰু উত্তৰ-দক্ষিণৰ
পৰা গোটালে। ৪ তেওঁলোকে মৰুভূমিৰ নিৰ্জন পথত ভ্ৰমি ফুৰিছিল,
তেওঁলোকে কোনো বসতিৰ নগৰ বিচাৰি নাপালে। ৫ তেওঁলোক
ক্ষুধিত আৰু তৃষ্ণাৰ্ত হ'ল; তেওঁলোকৰ প্ৰাণ শ্ৰান্ত হৈ মূৰ্ছিত হ'ল। ৬
তেতিয়া তেওঁলোকে সঙ্কটত পৰি যিহোৱাৰ আগত কাতৰোক্তি কৰিলে;
তাতে ক্লেশৰ পৰা তেওঁ তেওঁলোকক উদ্ধাৰ কৰিলে। ৭ তেওঁ পোন
বাটেদি তেওঁলোকক গমন কৰালে; যাতে তেওঁলোকে গৈ কোনো বসতি

নগৰ পাব পাৰে। ৮ মানুহৰ প্ৰতি যিহোৱাৰ আচৰিত কাৰ্যৰ কাৰণে
আৰু তেওঁৰ গভীৰ প্ৰেমৰ কাৰণে তেওঁলোকে তেওঁৰ প্ৰশংসা কৰক।
৯ কিয়নো তেওঁ পিপাসিত প্ৰাণক তৃপ্ত কৰে; আৰু ক্ষুধাতুৰ প্ৰাণক উত্তম
দ্ৰব্যেৰে পূৰ কৰে। ১০ কোনো লোক অন্ধকাৰ আৰু মৃত্যুচ্ছায়াৰ মাজত
বহিছিল; সেই বন্দীসকলে দুখত আৰু লোহাৰ শিকলিৰ বন্ধনত কষ্ট
পাইছিল। ১১ কাৰণ তেওঁলোকে যিহোৱাৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছিল;
সৰ্ব্বোপৰি জনাৰ পৰামৰ্শক তেওঁলোকে তুচ্ছ জ্ঞান কৰিলে। ১২ সেই
বাবেই তেওঁ কঠোৰ পৰিশ্ৰম দি তেওঁলোকৰ হৃদয়ক অৱনত কৰিলে;
তেওঁলোক পতিত হ’ল আৰু সহায় কৰিবলৈ কোনো নাছিল। ১৩
তেতিয়া সঙ্কটৰ কালত তেওঁলোকে যিহোৱাৰ আগত ক্ৰন্দন কৰিলে;
তেওঁ তেওঁলোকক কষ্টৰ পৰা ৰক্ষা কৰিলে। ১৪ তেওঁ তেওঁলোকক
আন্ধকাৰ আৰু মৃত্যুচ্ছায়াৰ পৰা বাহিৰ কৰি আনিলে; তেওঁলোকৰ
শিকলিৰ বন্ধন চিঙি পেলালে। ১৫ মানুহৰ প্ৰতি যিহোৱাৰ আচৰিত
কাৰ্যৰ কাৰণে আৰু তেওঁৰ গভীৰ প্ৰেমৰ কাৰণে লোকসকলে তেওঁৰ
প্ৰশংসা কৰক। ১৬ তেওঁ পিতলৰ দুৱাৰবোৰ ভাঙি পেলালে; আৰু
লোহাৰ ডাংবোৰ কাটি পেলালে। ১৭ যি সকল নিৰ্ব্বোধ, তেওঁলোকে
নিজৰ বিদ্ৰোহৰ কাৰণে আৰু অপৰাধৰ কাৰণে যাতনা ভোগিলে। ১৮
তেওঁলোকে সকলো খোৱা বস্তুকে ঘিণ কৰিলে; তেওঁলোক মৃত্যুদ্বাৰৰ
ওচৰলৈ চাপি গ’ল। ১৯ সঙ্কটৰ কালত তেওঁলোকে যিহোৱাৰ আগত
ক্ৰন্দন কৰিলে; তেওঁ তেওঁলোকক ক্লেশৰ পৰা উদ্ধাৰ কৰে। ২০
তেওঁ নিজ বাক্য পঠাই তেওঁলোকক সুস্থ কৰিলে; তেওঁ বিনাশৰ পৰা
তেওঁলোকক ৰক্ষা কৰিলে। ২১ মানুহৰ প্ৰতি যিহোৱাৰ আচৰিত কাৰ্যৰ
কাৰণে আৰু তেওঁৰ গভীৰ প্ৰেমৰ কাৰণে তেওঁলোকে তেওঁৰ প্ৰশংসা
কৰক। ২২ তেওঁলোকে ধন্যবাদাৰ্থক বলি উৎসৰ্গ কৰক; আনন্দ
গীতেৰে তেওঁৰ কৰ্মৰাজিৰ বৰ্ণনা কৰক। ২৩ যিসকলে জাহাজত উঠি
সাগৰত অহা-যোৱা কৰে, আৰু মহা জল সমূহৰ ওপৰেদি ব্যৱসায়
কৰে, ২৪ তেওঁলোকে যিহোৱাৰ কাৰ্যবোৰ দেখে, গভীৰ জলত তেওঁৰ
আচৰিত কাৰ্যবোৰ দেখে। ২৫ তেওঁৰ আজ্ঞাৰ দ্বাৰাই প্ৰচণ্ড ধুমুহা
হ’ল; তাতে সাগৰৰ ঢৌবোৰ ওফন্দি উঠে; ২৬ ঢৌবোৰ বহু ওপৰলৈ

উঠে, পুনৰ বহু গভীৰলৈ নামি আহে; বিপদৰ কালত তেওঁলোকৰ প্ৰাণ
ভয়তে দ্ৰৱ হৈ যায়। ২৭ মতলীয়া মানুহৰ দৰে তেওঁলোকে ঢলংপলং
কৰে; তেওঁলোকৰ সকলো বুদ্ধি নাইকিয়া হয়। ২৮ সঙ্কটৰ কালত
তেওঁলোকে যিহোৱাৰ ওচৰত ক্ৰন্দন কৰে, তাতে তেওঁ তেওঁলোকক
ক্লেশৰ পৰা উদ্ধাৰ কৰে। ২৯ তেওঁ ধুমুহাক প্ৰশমিত কৰে, তাৰ
ঢৌবোৰক শান্ত কৰে। ৩০ সাগৰ শান্ত হোৱাৰ কাৰণে তেওঁলোকে
আনন্দ কৰে; তেওঁ তেওঁলোকক লক্ষ্যৰ বন্দৰলৈ লৈ যায়। ৩১
মানুহৰ প্ৰতি যিহোৱাৰ আচৰিত কাৰ্যৰ কাৰণে আৰু তেওঁৰ গভীৰ
প্ৰেমৰ কাৰণে তেওঁলোকে তেওঁৰ প্ৰশংসা কৰক। ৩২ সমাজৰ মাজত
তেওঁলোকে তেওঁৰ গৌৰৱ-কীৰ্ত্তন কৰক, বৃদ্ধসকলৰ সভাত তেওঁৰ
প্ৰশংসা কৰক। ৩৩ নদীবোৰক তেওঁ মৰুভূমিলৈ, জলৰ ভুমুকবোৰক
তেওঁ শুকান ভূমিলৈ পৰিণত কৰে; ৩৪ তেওঁ ফলৱান দেশক লোণাময়
অনুৰ্বৰ ভূমি কৰে, সেই ঠাইৰ নিবাসীসকলৰ দুষ্টতাৰ কাৰণে তেওঁ
এই সকলো কৰে। ৩৫ তেওঁ মৰুভূমিক জলাশয়লৈ, শুকান ঠাইবোৰক
জলৰ ভুমুকলৈ পৰিণত কৰে। ৩৬ ক্ষুধাতুৰ লোকসকলক তেওঁ তাত
বসতি কৰায়; তেওঁলোকে তাত নগৰ স্থাপন কৰে। ৩৭ তেওঁলোকে
পথাৰত বীজ সিঁচে, দ্ৰাক্ষালতা ৰোৱে, আৰু প্ৰচুৰ ফল চপায়। ৩৮
তেওঁ তেওঁলোকক আশীৰ্ব্বাদ কৰে আৰু তেওঁলোক সংখ্যাত অতিশয়
বৃদ্ধি পায়; তেওঁ তেওঁলোকৰ পশুধনবোৰক হ্ৰাস হবলৈ নিদিয়ে। ৩৯
উপদ্ৰৱ, বিপদ আৰু শোকত পুনৰ তেওঁলোক সংখ্যাত হ্ৰাস পায়,
তেওঁলোকৰ নীহ অৱস্থা হ'য়। ৪০ তেওঁ উচ্চপদৰ লোকসকলৰ ওপৰত
অপমান বৰষায়, পথহীন মৰুভূমিৰ মাজত তেওঁলোকক ভ্ৰমণ কৰায়;
৪১ কিন্তু তেওঁ দৰিদ্ৰক দুখৰ পৰা তুলি আনি উচ্চ পদত স্থাপন কৰে,
আৰু মেৰ-ছাগৰ জাকৰ নিচিনাকৈ তেওঁৰ পৰিয়ালৰ যত্ন লয়। ৪২
তাকে দেখি ধাৰ্মিক লোকে আনন্দ কৰে, কিন্তু সকলো অধৰ্মকাৰীয়ে
নিজৰ মুখ বন্ধ কৰে। ৪৩ যি জন জ্ঞানী, তেওঁ এই সকলো কথালৈ
মনোযোগ দিয়ক, যিহোৱাৰ বিশ্বস্ত প্ৰেমৰ বিষয়ে ধ্যান কৰক।

**১০৮** হে ঈশ্বৰ, মোৰ মন সুস্থিৰ; মোৰ মন সুস্থিৰ আছে; মই গীত
গাম; মোৰ প্ৰাণেৰে সৈতে প্ৰশংসাৰ গানৰ সুৰ তুলিম। ২ হে নেবল

আৰু বীণা, সাৰ পোৱা; মই প্ৰভাতক জগাম। ৩ হে যিহোৱা, জাতি
সমূহৰ মাজত মই তোমাৰ ধন্যবাদ কৰিম। তেওঁলোকৰ মাজত
তোমাৰ প্ৰশংসাৰ গান কৰিম। ৪ কিয়নো তোমাৰ গভীৰ প্ৰেম
আকাশমণ্ডলতকৈয়ো উচ্চ; তোমাৰ বিশ্বস্ততা মেঘ পৰ্যন্ত ব্যাপ্ত। ৫
হে ঈশ্বৰ, আকাশমণ্ডলৰ ওপৰলৈকে তুমি উন্নত হোৱা; গোটেই
পৃথিৱীৰ ওপৰত তোমাৰ গৌৰৱ হওক। ৬ তুমি যি সকলক ভালপোৱা,
তেওঁলোকে যেন উদ্ধাৰ পায়, তোমাৰ সোঁ হাতেৰে আমাক উদ্ধাৰ কৰা,
আৰু মোক উত্তৰ দিয়া। ৭ ঈশ্বৰে নিজৰ পবিত্ৰতাত প্ৰতিজ্ঞা কৰিলে,
“মই আনন্দেৰে চৈতে চিখিম ভাগ বাঁটি দিম, চুক্কোতৰ উপত্যকাৰ
জৰীপ কৰি ভাগ কৰি দিম। ৮ গিলিয়দ মোৰেই, মনচিও মোৰেই;
ইফ্ৰয়িম মোৰ শিৰোৰক্ষক; যিহূদা মোৰ বিচাৰদণ্ড; ৯ মোৱাব মোৰ
প্ৰক্ষালন-পাত্ৰ; ইদোমৰ ওপৰলৈ মই মোৰ জোতা নিক্ষেপ কৰিম;
পলেষ্টিয়াৰ ওপৰত মই বিজয়ৰ উচ্চ-ধ্বনি কৰিম।” ১০ কোনে মোক
সেই শক্তিশালী নগৰৰ ভিতৰলৈ লৈ যাব? কোনে ইদোমলৈকে মোক
পথ দেখুৱাই লৈ যাব? ১১ হে ঈশ্বৰ, তুমি আমাক জানো ত্যাগ কৰা
নাই? আমাৰ সৈন্যসকলৰ লগত যুদ্ধলৈ তুমিতো পুনৰ নোযোৱা।
১২ শত্ৰুৰ বিৰুদ্ধে তুমি আমাক সহায় কৰ; কিয়নো মানুহৰ সাহার্য
বৃথা। ১৩ ঈশ্বৰৰ সহায়ত আমি সাহসেৰে কাৰ্য কৰিম; কিয়নো আমাৰ
শত্ৰুবোৰক তেৱেঁই ভৰিৰে গচকিব।

**১০৯** হে মোৰ প্ৰশংসাৰ যোগ্য ঈশ্বৰ, তুমি নিজম দি নাথাকিবা;
২ কিয়নো দুষ্ট আৰু ছলনাকাৰী লোকে মোৰ বিৰুদ্ধে মুখ মেলিছে;
তেওঁলোকে মিছলীয়া জিভাৰে মোৰ বিৰুদ্ধে কথা কৈছে। ৩ তেওঁলোকে
মোক ঘৃণনীয় কথা কৈ আগুৰি ধৰিছে; বিনা কাৰণতে মোক আক্ৰমণ
কৰিছে। ৪ মোৰ প্ৰেমৰ পৰিবৰ্তে তেওঁলোকে মোৰ বিৰুদ্ধে শত্ৰুতা
কৰিছে; কিন্তু মই হ'লে তেওঁলোকৰ বাবে প্ৰাৰ্থনাত লাগি থাকোঁ। ৫
মই কৰা উপকাৰৰ সলনি তেওঁলোকে মোলৈ অপকাৰ কৰিলে; মোৰ
প্ৰেমৰ সলনি মোক ঘৃণা কৰিলে। ৬ “তুমি তেওঁলোকৰ ওপৰত দুষ্ট
বিচাৰক নিযুক্ত কৰা; বিপক্ষ তেওঁলোকৰ সোঁহাতে থিয় হওঁক। ৭
বিচাৰৰ সময়ত তেওঁলোকক দোষী সাব্যস্ত কৰা হওঁক; তেওঁলোকৰ

প্ৰাৰ্থনা পাপৰূপে গণিত হওঁক। ৮ তেওঁলোকৰ আয়ুস চুটি হওঁক; অন্য লোকে তেওঁলোকৰ পদবী লৈ লওঁক। ৯ তেওঁলোকৰ সন্তানবোৰ অনাথ হওঁক; তেওঁলোকৰ ভাৰ্যাবোৰ বিধৱা হওঁক। ১০ তেওঁলোকৰ সন্তানবোৰে পথে পথে ভিক্ষা কৰি ফুৰক, উচ্ছন্ন বাসস্থানৰ পৰা দূৰলৈ গৈ আহাৰ বিচাৰি ফুৰক। ১১ মহাজনে তেওঁলোকৰ সৰ্ব্বস্ব লৈ যাওক; বিদেশীবোৰে তেওঁলোকৰ শ্ৰমৰ ফল লুটি নিয়ক। ১২ তেওঁলোকলৈ দয়া কৰোঁতা কোনো নহওক; তেওঁলোকৰ অনাথ সন্তানবোৰৰ প্ৰতি কৃপা কৰিবলৈ কোনো নাথাকক। ১৩ তেওঁলোকৰ ভাবী বংশ উচ্ছন্ন হওক; দ্বিতীয় পুৰুষতে তেওঁৰ নাম লুপ্ত হওক! ১৪ তেওঁলোকৰ পিতৃবিলাকৰ অধৰ্মৰ কথা যিহোৱাৰ সোঁৰৰণত থাকক; তেওঁলোকৰ মাতৃসকলৰ পাপ মোচন কৰা নহওঁক। ১৫ সকলো সময়তে সেইবোৰ যিহোৱাৰ সন্মুখত থাকক, আৰু পৃথিৱীৰ পৰা তেওঁলোকৰ স্মৃতি লুপ্ত হওঁক। ১৬ কাৰণ তেওঁলোকে কেতিয়াও দয়া দেখুৱাৰ কথা মনলৈ নানে, কিন্তু দুখী, দৰিদ্ৰ আৰু হতাশগ্ৰস্ত লোকসকলক বধ কৰিবৰ কাৰণে তাড়না কৰে। ১৭ তেওঁলোকে শাও দিবলৈ ভাল পায়; সেই শাও তেওঁলোকৰ ওপৰলৈকে আহঁক। তেওঁলোকে আশীৰ্ব্বাদ ঘৃণা কৰে; সেয়ে আশীৰ্বাদ তেওঁলোকৰ পৰা দূৰ হওঁক। ১৮ তেওঁলোকে শাওক নিজৰ বস্ত্ৰৰ দৰে পিন্ধিলে; সেয়ে পানীৰ নিচিনাকৈ তেওঁলোকৰ অন্তৰত প্ৰৱেশ কৰিলে, তেওঁলোকৰ অস্থিবোৰে তেলৰ নিচিনাকৈ শুহি ল’লে। ১৯ সেই শাৱে চাদৰৰ দৰে তেওঁলোকক ঢাকি ৰাখক; কঁকালত সদায় বন্ধা টঙালিৰ নিচিনা বান্ধি ৰাখক।” ২০ মোৰ যি বিৰোধীবিলাকে মোৰ বিৰুদ্ধে বেয়া কথা কয়, তেওঁলোকে যিহোৱাৰ পৰা যেন এই প্ৰতিফল পায়। ২১ কিন্তু হে মোৰ প্ৰভু যিহোৱা, তোমাৰ নামৰ অৰ্থে মোৰ পক্ষে দয়া ব্যৱহাৰ কৰা; কিয়নো তোমাৰ মঙ্গলময় অসীম প্ৰেমেৰে মঙ্গলময়, এতেকে মোক উদ্ধাৰ কৰা। ২২ কিয়নো মই দুখী আৰু দৰিদ্ৰ; মোৰ ভিতৰৰ অন্তৰখন বিন্ধিছে। ২৩ আবেলিৰ ছাঁৰ নিচিনাকৈ মই নোহোৱা হৈ গৈছো; কাকতি ফৰিঙৰ নিচিনাকৈ মোক উড়ুৱাই নিয়া হৈছে। ২৪ লঘোন দিয়াৰ কাৰণে মোৰ আঁঠু দুটা দুৰ্ব্বল হৈছে; মোৰ শৰীৰ ক্ষীণ হৈ শুকাই গৈছে। ২৫ মোৰ

বিৰোধীসকলৰ ওচৰত মই নিন্দাৰ পাত্ৰ হৈছোঁ; মোক দেখিলেই
তেওঁলোকে মূৰ জোকাৰে। ২৬ হে মোৰ ঈশ্বৰ যিহোৱা! মোক সহায়
কৰা, তোমাৰ দয়া অনুসাৰে মোক ৰক্ষা কৰা; ২৭ তেওঁলোকে জানক
যে, এয়ে তোমাৰ হাত; হে যিহোৱা, তুমিয়েই এই সকলো কাৰ্য
কৰিলা। ২৮ তেওঁলোকে শাও দিয়ক, কিন্তু তুমি হ'লে আশীৰ্ব্বাদ
কৰিবা; তেওঁলোকে উঠিলে লজ্জিত হ'ব; কিন্তু তোমাৰ দাস আনন্দিত
হ'ব। ২৯ মোৰ বিৰোধীবোৰে অপমানৰ বস্ত্ৰাবৰণ পৰিধান কৰক;
চাদৰৰ নিচিনাকৈ তেওঁলোকে নিজৰ লাজক মেৰিয়াই থাকক। ৩০ মই
নিজ মুখেৰে অতিশয় ৰূপে যিহোৱাৰ ধন্যবাদ কৰিম; লোক সমূহৰ
মাজত মই তেওঁৰ প্ৰশংসা কৰিম; ৩১ যিজন অভাৱী, তেওঁ সেইজনক
সহায় কৰে; মৃত্যুদণ্ডৰ ৰায়ৰ পৰা তেওঁৰ প্ৰাণ ৰক্ষা কৰে।

**১১০** যিহোৱাই মোৰ প্ৰভুক ক'লে, "যেতিয়ালৈকে মই তোমাৰ
শত্ৰুবোৰক তোমাৰ ভৰি-পীৰা নকৰোঁ, তেতিয়ালৈকে তুমি মোৰ
সোঁহাতে বহি থাকা।" ২ যিহোৱাই চিয়োনৰ পৰা তোমাৰ শক্তিশালী
ৰাজদণ্ড প্ৰেৰণ কৰিব, তেওঁ ক'ব, "তোমাৰ শত্ৰুবোৰৰ মাজত ৰাজত্ব
কৰা।" ৩ যুদ্ধৰ দিনত তোমাৰ সৈন্য-সামন্তবোৰক তুমি লৈ যাওঁতে,
পবিত্ৰ পৰ্বতবোৰৰ ওপৰত তোমাৰ লোকসকলে স্ব-ইচ্ছাৰে নিজকে
উৎসৰ্গ কৰিব; ৰাতিপুৱাৰ গৰ্ভস্থলৰ পৰা ওলোৱা নিয়ৰৰ নিচিনা
তোমাৰ যুবকসকল তোমাৰ কাষলৈ আহিব। ৪ "তুমি মল্কীচেদকৰ
দৰে চিৰকালৰ কাৰণে এজন পুৰোহিত হ'বা।" যিহোৱাই এই শপত
খালে; তেওঁ নিজৰ মন সলনি নকৰিব। ৫ যিহোৱা তোমাৰ সোঁহাতে
আছে; ক্ৰোধৰ দিনত তেওঁ ৰজাসকলক চূৰ্ণ কৰিব। ৬ তেওঁ জাতি
সমূহৰ মাজত বিচাৰ নিষ্পত্তি কৰিব, তেওঁ মৰা শৰেৰে দেশ পৰিপূৰ্ণ
কৰিব; তেওঁ বিশাল পৃথিৱীত ৰজাসকলৰ মূৰ গুড়ি কৰিব। ৭ তেওঁ
পথৰ দাঁতিত থকা জুৰিৰ জল পান কৰিব; তাতে সতেজ হৈ শেষত
বিজয়ৰ শিৰ তুলি ধৰিব।

**১১১** তোমালোকে যিহোৱাৰ প্ৰশংসা কৰা! মই সমস্ত মনেৰে
যিহোৱাৰ ধন্যবাদ কৰিম; ধাৰ্মিকসকলৰ সভাত আৰু মণ্ডলীৰ মাজত
প্ৰশংসা কৰিম। ২ যিহোৱাৰ কাৰ্যবোৰ মহৎ; যিসকল তাত আনন্দিত

হয়, তেওঁলোকে সেইবোৰ ধ্যান কৰে। ৩ তেওঁৰ কাৰ্য গৌৰৱ আৰু মহিমাৰে পৰিপূৰ্ণ; তেওঁৰ ধাৰ্মিকতা চিৰকাললৈকে থাকে। ৪ তেওঁ নিজৰ আচৰিত কাৰ্যবোৰ স্মৰণীয় কৰিলে; যিহোৱা কৃপাময় আৰু দয়ালু। ৫ তেওঁৰ ভক্তসকলক তেওঁ আহাৰ যোগায়; নিজে স্থাপন কৰা নিয়মটি তেওঁ চিৰকাললৈকে সোঁৱৰণ কৰিব। ৬ অন্যান্য জাতিবোৰৰ আধিপত্য নিজৰ লোকসকলক দি তেওঁ নিজৰ কাৰ্যৰ শক্তি তেওঁলোকক দেখুৱালে। ৭ তেওঁৰ হাতৰ কাৰ্যবোৰ বিশ্বস্ত আৰু ন্যায়পূৰ্ণ; তেওঁৰ সকলো বিধি বিশ্বাসযোগ্য। ৮ সেইবোৰ অনন্ত কাললৈকে অলৰ; সেইবোৰ বিশ্বস্ততা আৰু সততাৰে সৈতে স্থাপন কৰা হৈছে। ৯ নিজৰ লোকসকলৰ কাৰণে তেওঁ মুক্তি পঠাই দিলে; তেওঁ আজ্ঞা দি অনন্ত কালৰ কাৰণে নিজৰ নিয়ম স্থাপন কৰিলে; তেওঁৰ নাম পবিত্ৰ আৰু ভয়ঙ্কৰ। ১০ যিহোৱালৈ ভয় ৰখাই জ্ঞানৰ আৰম্ভণ; যিসকলে তেওঁৰ আজ্ঞা অনুসাৰে কাৰ্য কৰে, তেওঁলোকে সুবুদ্ধি পায়; তেওঁৰ প্ৰশংসা অনন্ত কাললৈকে থাকে।

**১১২** তোমালোকে যিহোৱাৰ প্ৰশংসা কৰা! ধন্য সেইজন, যিজনে
যিহোৱালৈ ভয় ৰাখে আৰু তেওঁৰ আজ্ঞাবোৰত অতি আনন্দিত হয়। ২
তেওঁলোকৰ বংশধৰসকল পৃথিৱীত শক্তিশালী হ’ব; ঈশ্বৰভক্তসকলৰ
বংশ আশীৰ্ব্বাদপ্ৰাপ্ত হ’ব। ৩ তেওঁলোকৰ ঘৰত ধন-সম্পদ থাকে;
তেওঁলোকৰ ধাৰ্মিকতা চিৰকাললৈকে থাকে। ৪ ঈশ্বৰভক্তসকলৰ
কাৰণে অন্ধকাৰতো দীপ্তি উদয় হয়; তেওঁলোক কৃপাময়, স্নেহশীল আৰু
ধাৰ্মিক। ৫ যিসকলে কৃপা কৰে আৰু ঋণ দিয়ে, তেওঁলোকৰ মঙ্গল হয়;
তেওঁলোকে সকলো কাৰ্যৰ বিচাৰ ন্যায়ভাৱে সম্পন্ন কৰে। ৬ কাৰণ
ধাৰ্মিক লোক কেতিয়াও লৰচৰ নহ’ব; ধাৰ্মিক লোকক মানুহে চিৰকাল
সোঁৱৰণ কৰিব। ৭ দুঃসংবাদ শুনিলেও তেওঁলোকে ভয় নকৰিব;
তেওঁলোকৰ হৃদয় দৃঢ় হৈ থাকে; তেওঁলোকে যিহোৱাত ভাৰসা ৰাখে।
৮ তেওঁলোকৰ হৃদয় সুস্থিৰ; তেওঁলোকে ভয় নকৰে; শেষত তেওঁলোকে
নিজৰ শত্ৰুবোৰৰ ওপৰত বিজয় দেখিব। ৯ তেওঁলোকে মুক্তহস্তে
দৰিদ্ৰসকলক দান কৰিলে; তেওঁলোকৰ ধাৰ্মিকতা চিৰকাললৈকে
থাকে; তেওঁলোকৰ শিং মৰ্য্যদাৰে উন্নত হয়। ১০ দুষ্টলোকে তাকে

দেখি ক্ৰোধিত হ'ব; তেওঁলোকে দাঁত কৰচিব আৰু গলি যাব; দুষ্টবোৰৰ
মনৰ কামনা নিস্ফল হ'ব।

**১১৩** তোমালোকে যিহোৱাৰ প্ৰশংসা কৰা। হে যিহোৱাৰ দাসবোৰ,
প্ৰশংসা কৰা; যিহোৱাৰ নামৰ প্ৰশংসা কৰা। ২ এতিয়াৰ পৰা অনন্ত
কাললৈকে যিহোৱাৰ নাম ধন্য হওক। ৩ সূৰ্যৰ উদয়স্থানৰ পৰা
অস্তস্থান পৰ্যন্ত যিহোৱাৰ নাম প্ৰশংসিত হওঁক। ৪ যিহোৱা সৰ্বজাতিৰ
ওপৰত উন্নত; তেওঁৰ গৌৰৱ আকাশ-মণ্ডলতকৈয়ো ওখ। ৫ আমাৰ
ঈশ্বৰ যিহোৱাৰ তুল্য কোন আছে? যি জনাৰ আসন আকাশৰ ওপৰত
সমাহীন, ৬ যি জনাই নত হৈ আকাশ-মণ্ডল আৰু পৃথিৱীলৈ দৃষ্টিপাত
কৰে; ৭ তেওঁ ধুলিৰ পৰা দুখীয়াক উঠায়, সাৰৰ দ'মৰ পৰা দীনহীনক
তোলে, ৮ যাতে তেওঁ প্ৰধানসকলৰ লগত তেওঁলোকক বহুৱাব পাৰে,
নিজৰ লোক সকলৰ প্ৰধানসকলৰ লগত বহুৱাব পাৰে। ৯ তেওঁ বন্ধ্যা
মহিলাক সুখী মাতৃ কৰি পৰিয়াল দান কৰে। তোমালোকে যিহোৱাৰ
প্ৰশংসা কৰা।

**১১৪** ইস্ৰায়েল জাতি যেতিয়া মিচৰৰ পৰা ওলাই আহিল, যাকোবৰ
বংশই যেতিয়া বিদেশী ভাষা কোৱা লোকৰ মাজৰ পৰা ওলাই আহিল,
২ তেতিয়া যিহূদা হ'ল ঈশ্বৰৰ পবিত্ৰ স্থান, ইস্ৰায়েল হ'ল তেওঁৰ
ৰাজ্য। ৩ সমুদ্ৰই তাকে দেখি পলায়ন কৰিলে; যৰ্দ্দন নদী উজাই গ'ল।
৪ পৰ্বতবোৰে মতা মেৰ-ছাগৰ নিচিনাকৈ, পাহাৰবোৰে মেৰ-ছাগ
পোৱালীৰ নিচিনাকৈ জঁপিয়াবলৈ ধৰিলে। ৫ হে সমুদ্ৰ, তোমাৰ কি
হ'ল? কিয় তুমি পলাই গ'লা? হে যৰ্দ্দন, কিয় তুমি উজাই গ'লা? ৬
হে পৰ্বতসমূহ, কিয় তোমালোকে মতা মেৰ-ছাগৰ দৰে জঁপিয়াবলৈ
ধৰিলা? হে পাহাৰসমূহ, কিয় তোমালোকে মেৰ-ছাগ পোৱালীৰ দৰে
জঁপিয়াবলৈ ধৰিলা? ৭ হে পৃথিৱী! তুমি যিহোৱাৰ সন্মুখত কম্পমান
হোৱা, যাকোবৰ ঈশ্বৰৰ সন্মুখত কম্পমান হোৱা। ৮ তেওঁ শিলক
জলাশয়লৈ পৰিণত কৰিলে, চক্‌মকীয়া কঠিন শিলক জলৰ এক ভুমুক
কৰিলে।

**১১৫** হে যিহোৱা, আমাক নহয়, আমাক নহয়, কিন্তু তোমাৰ
নামকহে গৌৰৱান্বিত কৰা; তোমাৰ অসীম প্ৰেম আৰু বিশ্বস্ততাৰ অৰ্থেই

কৰা। ২ আন জাতিবোৰে কিয় ক'ব, "ক'ত আছে তেওঁলোকৰ ঈশ্বৰ?"
৩ আমাৰ ঈশ্বৰ হ'লে স্বৰ্গত আছে; তেওঁ যিহকে ইচ্ছা কৰে, তাকে
কৰে। ৪ তেওঁলোকৰ প্ৰতিমাবোৰ হ'লে ৰূপ আৰু সোণৰ, মনুষ্যৰ
হাতৰ কাৰ্য। ৫ সেইবোৰৰ মুখ আছে, কিন্তু কথা ক'ব নোৱাৰে; চকু
আছে, কিন্তু নেদেখে; ৬ কাণ আছে, কিন্তু নুশুনে; নাক আছে, কিন্তু
ঘ্ৰাণ ল'ব নোৱাৰে; ৭ হাত আছে, কিন্তু চুব নোৱাৰে; ভৰি আছে,
কিন্তু খোজ কাঢ়িব নোৱাৰে; কন্ঠই একো মাত উলিয়াব নোৱাৰে।
৮ যিসকলে সেইবোৰক নিৰ্ম্মাণ কৰে আৰু সেইবোৰত নিৰ্ভৰ কৰে,
তেওঁলোক সেইবোৰৰ নিচিনাই। ৯ হে ইস্ৰায়েল, যিহোৱাত ভাৰসা
কৰা! তেৱেঁই তেওঁলোকৰ সহায় আৰু ঢাল। ১০ হে হাৰোণৰ বংশ,
যিহোৱাত ভাৰসা কৰা; তেৱেঁই তেওঁলোকৰ সহায় আৰু ঢাল। ১১ হে
যিহোৱাৰ ভয়কাৰী লোক, যিহোৱাত ভাৰসা কৰা; তেৱেঁই তেওঁলোকৰ
সহায় আৰু ঢাল। ১২ যিহোৱাই আমাক সোঁৱৰণ কৰিলে, সেইবাবে
তেওঁ আমাক আশীৰ্ব্বাদ কৰিব; ইস্ৰায়েলৰ বংশক আশীৰ্ব্বাদ কৰিব;
হাৰোণৰ বংশক আশীৰ্ব্বাদ কৰিব; ১৩ যিসকলে যিহোৱাক ভয়
কৰে, তেওঁলোক সকলোকে তেওঁ আশীৰ্ব্বাদ কৰিব, সৰু কি বৰ
সকলোকে আশীৰ্ব্বাদ কৰিব। ১৪ যিহোৱাই তোমালোকক বৃদ্ধি কৰক;
তোমালোকক আৰু তোমালোকৰ সন্তান সকলক বৃদ্ধি কৰক। ১৫
যিহোৱা, যিজন স্বৰ্গ আৰু পৃথিৱীৰ স্ৰজনকৰ্ত্তা, তেওঁ তোমালোকক
আশীৰ্ব্বাদ কৰক। ১৬ স্বৰ্গ হৈছে যিহোৱাৰেই স্বৰ্গ; কিন্তু পৃথিৱীখন
হ'লে তেওঁ মনুষ্যক দিলে। ১৭ মৃতলোকে যিহোৱাৰ প্ৰশংসা নকৰে;
যিসকলে নিস্তব্ধ স্থানলৈ নামি যায়, তেওঁলোক কোনেও তেওঁৰ স্তুতি
নকৰে। ১৮ কিন্তু আমি হ'লে যিহোৱাৰ ধন্যবাদ কৰিম, এতিয়াৰ পৰা
অনন্ত কাল পৰ্যন্ত কৰিম। তোমালোকে যিহোৱাৰ প্ৰশংসা কৰা।

**১১৬** মই যিহোৱাক প্ৰেম কৰোঁ, কিয়নো তেওঁ মোৰ স্বৰ আৰু
কাকুতি শুনিলে। ২ তেওঁ মোৰ কথালৈ কাণ পাতিলে, সেয়ে মই জীয়াই
থকা দিনলৈকে তেওঁৰ ওচৰত প্ৰাৰ্থনা কৰিম। ৩ মই মৃত্যুৰ জৰীত
বান্ধ খাই পৰিছিলোঁ, চিয়োলৰ যাতনাৰ সন্মুখীন হৈছিলো, মই দুখ-
কষ্ট পাইছিলো; **(Sheol h7585)** ৪ তেতিয়া মই যিহোৱাৰ নামেৰে প্ৰাৰ্থনা

কৰিলোঁ, “হে যিহোৱা, মই মিনতি কৰিছোঁ, তুমি মোৰ প্ৰাণ ৰক্ষা কৰা!”
৫ যিহোৱা দয়াময় আৰু ধাৰ্মিক; বাস্তৱিক আমাৰ ঈশ্বৰ স্নেহময়। ৬
যিহোৱাই অমায়িক লোকক ৰক্ষা কৰে; মই অসহায় হোৱাত তেওঁ
মোক উদ্ধাৰ কৰিলে। ৭ হে মোৰ প্ৰাণ, তোমাৰ বিশ্ৰাম-স্থানলৈ উভটি
যোৱা, কিয়নো যিহোৱাই তোমাক প্ৰচুৰ মঙ্গল কৰিলে। ৮ কাৰণ
তুমিয়েই মৃত্যুৰ পৰা প্ৰাণ, চকুলোৰ পৰা মোৰ চকু, উজুটি খোৱাৰ
পৰা মোৰ ভৰি ৰক্ষা কৰিলা। ৯ মই জীৱিতসকলৰ দেশত যিহোৱাৰ
সাক্ষাতে অহা-যোৱা কৰিম। ১০ যেতিয়া মই কৈছিলোঁ, “মই অতিশয়
উৎপীড়িত হৈছোঁ” তেতিয়াও যিহোৱাত মই বিশ্বাসত আছিলোঁ। ১১
মই উদ্বেগ কৰি কৈছিলোঁ, “সকলো মানুহ মিছলীয়া।” ১২ যিহোৱাই
মোলৈ কৰা সকলো মঙ্গলৰ পৰিৱৰ্তে মই তেওঁক কি দিম? ১৩ মই
পৰিত্ৰাণৰ পানপাত্ৰ তুলি ধৰিম, আৰু যিহোৱাৰ নামেৰে প্ৰাৰ্থনা কৰিম;
১৪ মই যিহোৱাৰ ওচৰত মোৰ সঙ্কল্পবোৰ পূৰ্ণ কৰিম; তেওঁৰ সমুদায়
লোকৰ সাক্ষাতেই কৰিম। ১৫ যিহোৱাৰ দৃষ্টিত তেওঁৰ বিশ্বাসীসকলৰ
মৃত্যু বহুমূল্য। ১৬ হে যিহোৱা, সচাঁকৈয়ে মই তোমাৰ দাস হওঁ; মই
তোমাৰ দাস, তোমাৰেই দাসীৰ পুত্ৰ; তুমিয়েই মোৰ বন্ধনবোৰ মুকলি
কৰিলা। ১৭ মই তোমাৰ উদ্দেশ্যে ধন্যবাদাৰ্থক বলি উৎসৰ্গ কৰিম;
মই যিহোৱাৰ নামেৰে প্ৰাৰ্থনা কৰিম। ১৮ মই যিহোৱাৰ ওচৰত মোৰ
সঙ্কল্পবোৰ পূৰ্ণ কৰিম; তেওঁৰ সমুদায় লোকৰ সাক্ষাতেই কৰিম। ১৯
হে যিৰূচালেম, তোমাৰেই মাজত, যিহোৱাৰ গৃহৰ চোতাল কেইখনত,
মই সেই সকলো পূৰ্ণ কৰিম। তোমালোকে যিহোৱাৰ প্ৰশংসা কৰা!

**১১৭** হে সমুদায় জাতি, যিহোৱাৰ প্ৰশংসা কৰা; হে সমুদায় লোক,
তেওঁৰ মহিমা কীৰ্তন কৰা। ২ কিয়নো আমালৈ যিহোৱাৰ প্ৰেম অসীম,
যিহোৱাৰ বিশ্বস্ততা অনন্তকাল স্থায়ী। তোমালোকে যিহোৱাৰ প্ৰশংসা
কৰা।

**১১৮** যিহোৱাৰ ধন্যবাদ কৰা, কিয়নো তেওঁ মঙ্গলময়, কাৰণ তেওঁৰ
অসীম প্ৰেম চিৰকাললৈকে থাকে। ২ ইস্ৰায়েলে কওঁক, “তেওঁৰ অসীম
প্ৰেম চিৰকাললৈকে থাকে।” ৩ হাৰোণৰ বংশই কওঁক, “তেওঁৰ অসীম
প্ৰেম চিৰকাললৈকে থাকে।” ৪ যিহোৱালৈ ভয় ৰাখোঁতাসকলে কওঁক,

“তেওঁৰ অসীম প্ৰেম চিৰকাললৈকে থাকে।” ৫ মই সঙ্কটৰ কালত
যিহোৱাৰ নামেৰে প্ৰাৰ্থনা কৰিলোঁ; যিহোৱাই মোক উত্তৰ দিলে আৰু
এক বহল ঠাইত থলে। ৬ যিহোৱা মোৰ পক্ষত আছে, মই ভয় নকৰোঁ;
মানুহে মোক কি কৰিব পাৰে? ৭ মোক সহায় কৰিবলৈ যিহোৱা মোৰ
পক্ষত আছে; গতিকে মই মোৰ বিৰোধীবোৰৰ পৰাজয় দেখা পাম। ৮
মানুহৰ ওপৰত ভাৰসা ৰখাতকৈ যিহোৱাত আশ্ৰয় লোৱাই ভাল। ৯
অধিপতিসকলৰ ওপৰত ভাৰসা ৰখাতকৈ, যিহোৱাত আশ্ৰয় লোৱাই
ভাল। ১০ সমুদায় জাতিয়ে মোক আগুৰি ধৰিলে; মই যিহোৱাৰ
অধিকাৰেৰে তেওঁলোকক উচ্ছন্ন কৰিলোঁ। ১১ তেওঁলোকে মোক
আগুৰি ধৰিলে, হয়, মোক আগুৰি ধৰিলে; মই যিহোৱাৰ নামেৰে
তেওঁলোকক উচ্ছন্ন কৰিলোঁ। ১২ তেওঁলোকে মৌ-মাখিৰ দৰে মোক
বেৰি ধৰিলে; কাঁইটীয়া বনৰ জুইৰ দৰে ততালিকে তেওঁলোক নুমাই
গ’ল; মই যিহোৱাৰ নামেৰে তেওঁলোকক উচ্ছন্ন কৰিলোঁ। ১৩ মই যেন
পৰি যাও, তাৰ বাবে তেওঁলোকে মোক জোৰকৈ ঠেলা মাৰিছিল, কিন্তু
যিহোৱাই মোক সহায় কৰিলে। ১৪ যিহোৱা মোৰ বল আৰু প্ৰবল
শক্তি; তেঁৱেই মোৰ পৰিত্ৰাণ হ’ল। ১৫ ধাৰ্মিকসকলৰ তম্বুত বিজয়ৰ
আনন্দপূৰ্ণ ধ্বনি হ’ল; “যিহোৱাৰ সোঁ-হাতে মহৎ কাৰ্য কৰিলে।” ১৬
যিহোৱাৰ সোঁ-হাত উত্তোলিত হ’ল; যিহোৱাৰ সোঁ-হাতে মহৎ কাৰ্য
কৰিলে। ১৭ মোৰ মৃত্যু নহ’ব, কিন্তু মই জীয়াই থাকিম, আৰু যিহোৱাই
কৰা কাৰ্যবোৰ ঘোষণা কৰিম। ১৮ যিহোৱাই মোক বৰকৈ শাস্তি দিলে;
কিন্তু তেওঁ মোক মৃত্যুৰ হাতত শোধাই নিদিলে। ১৯ মোলৈ ধাৰ্মিকতাৰ
দুৱাৰবোৰ মুকলি কৰি দিয়া, যাতে সেইবোৰৰ ভিতৰত সোমাই মই
যিহোৱাৰ ধন্যবাদ কৰিব পাৰোঁ। ২০ এয়াই যিহোৱাৰ দুৱাৰ; ইয়াৰ
মাজেদিয়েই ধাৰ্মিকসকল সোমায়। ২১ মই তোমাৰ ধন্যবাদ কৰোঁ;
কিয়নো তুমি মোক উত্তৰ দিলা; তুমি মোৰ পৰিত্ৰাণ থ’লো। ২২ ঘৰ
নিৰ্মাণকাৰীসকলে যি শিলক অগ্ৰাহ্য কৰিলে, সেয়ে সকলোতকৈ
দৰকাৰী চুকৰ প্ৰধান শিল হৈ উঠিল। ২৩ এইয়া যিহোৱাৰেই কাৰ্য,
আমাৰ দৃষ্টিত অতি আচৰিত লাগে। ২৪ এয়ে সেই দিন, যি দিন
যিহোৱাই নিৰূপণ কৰিলে; আহাঁ, আমি এই দিনত আনন্দ কৰোঁ আৰু

উল্লাস কৰোঁ। ২৫ হে যিহোৱা, মিনতি কৰোঁ, তুমি আমাক ৰক্ষা কৰা!
হে যিহোৱা, আমি তোমাক মিনতি কৰোঁ, সফলতা দান কৰা! শুভ
কৰা। ২৬ ধন্য সেইজন, যি জন যিহোৱাৰ নামেৰে আহিছে; আমি
যিহোৱাৰ গৃহৰ পৰা তোমালোকক আশীৰ্বাদ কৰিছোঁ। ২৭ যিহোৱাই
ঈশ্বৰ আৰু তেঁৱেই আমাক দীপ্তি দিলে; তোমালোকে বলিৰ পশুবোৰ
ৰছীৰে যজ্ঞবেদীৰ শিঙলৈকে বান্ধা। ২৮ তুমিয়েই মোৰ ঈশ্বৰ, মই
তোমাৰ ধন্যবাদ কৰিম; তুমিয়েই মোৰ ঈশ্বৰ, মই তোমাৰ মহিমা
কীৰ্তন কৰিম। ২৯ তোমালোকে যিহোৱাৰ ধন্যবাদ কৰা, কিয়নো
তেওঁ মঙ্গলময়; তেওঁৰ অসীম প্ৰেম চিৰকাললৈকে থাকে।

**১১৯** ধন্য সেইসকল, যিসকলৰ আচাৰ-ব্যৱহাৰ সিদ্ধ; যিসকলে
যিহোৱাৰ ব্যৱস্থা অনুসাৰে চলে। ২ ধন্য সেইসকল, যিসকলে তেওঁৰ
আজ্ঞাবোৰ পালন কৰে; যিসকলে সমস্ত মনেৰে সৈতে তেওঁক বিচাৰে।
৩ তেওঁলোকে অন্যায় নকৰে, যিহোৱাৰ পথত চলে। ৪ তোমাৰ
আদেশবোৰ যত্নেৰে পালন কৰিবলৈ তুমি আমাক আজ্ঞা কৰিলা। ৫
ওহ, মোৰ পথবোৰ সুস্থিৰ হওঁক; মই যেন তোমাৰ বিধিবোৰ পালন
কৰিব পাৰোঁ! ৬ যেতিয়া তোমাৰ সকলো আজ্ঞাৰ প্ৰতি মই দৃষ্টি
ৰাখি চলিম, তেতিয়া মই লজ্জিত নহ'ম। ৭ তোমাৰ ধাৰ্মিকতাযুক্ত
শাসন প্ৰণালীবোৰ যেতিয়া মই শিকোঁ, তেতিয়া মই শুদ্ধ মনেৰে
তোমাৰ ধন্যবাদ কৰিম। ৮ মই তোমাৰ বিধিবোৰ পালন কৰিম;
মোক নিচেইকৈ পৰিত্যাগ নকৰিবা। ৯ যুবকে কেনেকৈ নিজৰ পথ
শুদ্ধভাৱে ৰাখিব পাৰে? তোমাৰ বাক্য অনুসাৰে সাৱধানেৰে চলাৰ
দ্বাৰাই পাৰে। ১০ মই সমস্ত মনেৰে তোমাক বিচাৰিছোঁ; তুমি মোক
তোমাৰ আজ্ঞা-পথৰ পৰা ভ্ৰান্ত হৈ যাব নিদিবা। ১১ তোমাৰ বাক্য
মই মোৰ হৃদয়ত সঞ্চয় কৰি ৰাখিছো, যেন তোমাৰ অহিতে পাপ
নকৰোঁ। ১২ ধন্য তুমি, হে যিহোৱা; মোক তোমাৰ বিধিবোৰ শিকোৱা।
১৩ তোমাৰ মুখৰ সকলো ধাৰ্মিক শাসন প্ৰণালী, মই নিজ ওঁঠেৰে
বৰ্ণনা কৰিলোঁ; ১৪ ধন-সম্পদত লোকে যিমান আনন্দ পায়, তোমাৰ
আজ্ঞাৰ পথত চলি মই তাতোকৈ অধিক আনন্দ পাওঁ। ১৫ মই
তোমাৰ আদেশবোৰ ধ্যান কৰিম, তোমাৰ সকলো পথলৈ মনোযোগ

দিম। ১৬ মই তোমাৰ বিধিবোৰত আনন্দিত হ'ম; মই তোমাৰ বাক্য
নাপাহৰিম। ১৭ তোমাৰ দাসলৈ প্ৰচুৰ মঙ্গল কৰা যাতে মই জীয়াই
থাকো, আৰু তোমাৰ বাক্য পালন কৰিব পাৰোঁ। ১৮ মোৰ চকু মুকলি
কৰি দিয়া, যাতে মই তোমাৰ ব্যৱস্থাত আচৰিত আচৰিত বিষয়বোৰ
দেখা পাওঁ। ১৯ মই পৃথিৱীত প্ৰবাসী মাথোন, তোমাৰ আজ্ঞাবোৰ
মোৰ পৰা লুকুৱাই নাৰাখিবা। ২০ সকলো সময়তে তোমাৰ শাসন-
প্ৰণালীবোৰ জানিবলৈ, মোৰ প্ৰাণ আকাঙ্ক্ষাত ভগ্ন হৈছে। ২১ তুমি
অহঙ্কাৰীবোৰক ধমক দিছা; তেওঁলোকতো শাপগ্ৰস্ত, তোমাৰ আজ্ঞা
পথৰ পৰা ভ্ৰান্ত হৈ ঘূৰি ফুৰে। ২২ তেওঁলোকৰ অপমান আৰু নিন্দা
মোৰ পৰা দূৰ কৰা; কিয়নো মই তোমাৰ আজ্ঞাবোৰ পালন কৰি
আহিছোঁ। ২৩ যদি শাসনকৰ্তাসকলেও বহি মোৰ অহিতে কথা কয়,
তথাপিও তোমাৰ দাসে তোমাৰ বিধিবোৰ ধ্যান কৰিব। ২৪ তোমাৰ
আজ্ঞাবোৰ মোৰ আনন্দৰ বিষয়, সেইবোৰে মোক পৰামৰ্শ দিয়ে। ২৫
মোৰ প্ৰাণ ধুলিত সংলগ্ন; তোমাৰ বাক্য অনুসাৰে মোক সঞ্জীৱিত কৰা।
২৬ মোৰ জীৱনৰ পথৰ কথা মই তোমাক জনালোঁ, আৰু তুমি মোক
উত্তৰ দিলা। মোক তোমাৰ বিধিবোৰ শিকোঁৱা। ২৭ তোমাৰ আজ্ঞাৰ
পথবোৰ মোক বুজাই দিয়া; তাতে মই তোমাৰ আচৰিত কাৰ্যবোৰ
ধ্যান কৰিম। ২৮ দুখত মোৰ প্ৰাণ দ্ৰৱীভূত হৈছে; তোমাৰ বাক্য
অনুসাৰে মোক সবল কৰা। ২৯ মোৰ পৰা মিছা কথাৰ পথ দূৰ কৰা;
দয়া কৰি তোমাৰ ব্যৱস্থাৰ শিক্ষা মোক দান কৰা। ৩০ মই বিশ্বস্ততাৰ
পথ মনোনীত কৰিলোঁ; মই তোমাৰ শাসন-প্ৰণালীবোৰ মোৰ সন্মুখত
ৰাখিলোঁ। ৩১ হে যিহোৱা, মই তোমাৰ আজ্ঞাবোৰত আসক্ত হৈছোঁ;
তুমি মোক লজ্জিত হ'বলৈ নিদিবা। ৩২ তোমাৰ আজ্ঞাবোৰৰ পথত
মই লৰি যাম, কাৰণ তুমি মোৰ হৃদয় মেলি দিলা। ৩৩ হে যিহোৱা,
তোমাৰ বিধিবোৰৰ পথৰ সম্বন্ধে মোক শিকোৱা; তাতে মই শেষলৈকে
তাক পালন কৰিম। ৩৪ তুমি মোক জ্ঞান দিয়া যাতে মই তোমাৰ
ব্যৱস্থাবোৰ মানি চলিব পাৰোঁ, সমস্ত হৃদয়েৰে সৈতে তাক পালন
কৰিব পাৰোঁ। ৩৫ তোমাৰ আজ্ঞা- পথত মোক চলোৱা; কিয়নো
তাতেই মই সন্তোষ পাওঁ। ৩৬ তোমাৰ আজ্ঞাবোৰলৈ মোৰ হৃদয়

আসক্ত কৰি ৰাখা, স্বাৰ্থপৰ লোভলৈ আকৰ্ষিত নকৰিবা। ৩৭ অসাৰ
বস্তুবোৰৰ পৰা তুমি মোৰ দৃষ্টি ঘূৰাই আনা; তোমাৰ পথত চলিবলৈ
মোক পুনৰ সঞ্জীৱিত কৰা। ৩৮ তোমাৰ এই দাসৰ প্ৰতি তোমাৰ
প্ৰতিজ্ঞা পূৰ্ণ কৰা; যি প্ৰতিজ্ঞা তোমালৈ ভয়কাৰী লোকৰ বাবে তুমি
স্থিৰ কৰিলা। ৩৯ মোৰ দূৰ্নাম তুমি দূৰ কৰা, যিহক মই ভয় কৰোঁ;
কিয়নো তোমাৰ শাসন-প্ৰণালীবোৰ মঙ্গলময়। ৪০ চোৱা, মই তোমাৰ
আদেশবোৰলৈ আকাংক্ষা কৰি আছোঁ; তোমাৰ ধাৰ্মিকতাৰে মোক
সঞ্জীৱিত কৰা। ৪১ হে যিহোৱা, তুমি মোক তোমাৰ সুস্থিৰ প্ৰেমৰ
ভাগী হবলৈ দিয়া; তোমাৰ প্ৰতিজ্ঞা অনুসাৰে তোমাৰ পৰিত্ৰাণৰ ভাগী
কৰা। ৪২ তেতিয়া মোক নিন্দা কৰা সকলক মই উত্তৰ দিব পাৰিম;
কিয়নো মই তোমাৰ বাক্যত ভাৰসা কৰোঁ। ৪৩ তোমাৰ সত্যৰ বাক্য
মোৰ মুখৰ পৰা কাঢ়ি নলবা; কিয়নো তোমাৰ শাসন-প্ৰণালীৰ ওপৰত
মোৰ আশা আছে। ৪৪ যুগে যুগে অনন্তকাল মই তোমাৰ ব্যৱস্থা
মানি চলিম। ৪৫ মই নিৰাপদে মুক্তভাৱে বিচৰণ কৰিম; কিয়নো মই
তোমাৰ আদেশবোৰলৈ মনোযোগ দিলোঁ। ৪৬ তুমি কোৱা সকলো
আজ্ঞাৰ বিষয়ে মই ৰজাসকলৰ আগতো ক'ম; মই লজ্জিত নহ'ম। ৪৭
তোমাৰ আজ্ঞাবোৰত মই সন্তোষ পাওঁ; কাৰণ মই তোমাৰ আজ্ঞাবোৰ
ভাল পাওঁ। ৪৮ তোমাৰ আজ্ঞাবোৰ মই পবিত্ৰ বুলি জ্ঞান কৰোঁ, কাৰণ
মই সেইবোৰ ভাল পাওঁ; মই তোমাৰ বিধিবোৰ ধ্যান কৰিম। ৪৯
তোমাৰ এই দাসৰ আগত তুমি যি প্ৰতিজ্ঞা কৰিছিলা, তাক তুমি
সোঁৱৰণ কৰা; তাৰ দ্বাৰায়েই তুমি মোক আশা দিছিলা। ৫০ দুখৰ
সময়ত এয়ে মোৰ সান্ত্বনা হয়; তোমাৰ প্ৰতিজ্ঞাই মোক সঞ্জীৱিত
কৰে। ৫১ অহঙ্কাৰীবোৰে মোক অতিশয় ঠাট্টা-বিদ্রূপ কৰে; তথাপিও
মই তোমাৰ ব্যৱস্থাৰ পৰা অলপো এফলীয়া হোৱা নাই। ৫২ হে
যিহোৱা, মই তোমাৰ পূৰ্বকালৰ শাসন প্ৰণালীবোৰ সোঁৱৰণ কৰোঁ,
আৰু মই নিজে শান্ত্বনা লভো। ৫৩ দুষ্ট লোকৰ দুষ্টতাৰ কাৰণে মোৰ
ক্ৰোধ প্ৰজ্বলিত হয়, কিয়নো তেওঁলোকে তোমাৰ ব্যৱস্থা ত্যাগ কৰে।
৫৪ মোৰ এই অস্থায়ী ঘৰত তোমাৰ বিধিবোৰ মোৰ গানৰ বিষয়
হৈছে। ৫৫ হে যিহোৱা, মই ৰাতি তোমাৰ নাম সোঁৱৰণ কৰোঁ, আৰু

তোমাৰ ব্যৱস্থা মানি চলোঁ। ৫৬ এয়ে মোৰ অভ্যাস যে মই তোমাৰ আজ্ঞাবোৰ পালন কৰি চলোঁ। ৫৭ যিহোৱা মোৰ অধিকাৰৰ অংশ; মই তোমাৰ বাক্য মতে চলিবলৈ প্ৰতিজ্ঞা কৰিলোঁ। ৫৮ মই মোৰ সমস্ত চিত্তেৰে তোমাৰ অনুগ্ৰহ বিচাৰিছোঁ; তোমাৰ বাক্য অনুসাৰে তুমি মোলৈ কৃপা কৰা। ৫৯ মই মোৰ পথবোৰৰ বিষয়ে চিন্তা কৰিলোঁ, আৰু মই তোমাৰ আজ্ঞাবোৰলৈ মোৰ ভৰি ঘূৰালোঁ। ৬০ মই শীঘ্ৰেই তুমি দিয়া আজ্ঞাবোৰ পালন কৰিলোঁ, পলম নকৰিলোঁ। ৬১ যদিও দুষ্টবোৰৰ জৰীত মই বান্ধ খাই আছোঁ, তথাপিও মই তোমাৰ ব্যৱস্থা পাহৰি নাযাওঁ। ৬২ তোমাৰ ধাৰ্মিকতাযুক্ত শাসন-প্ৰণালীবোৰৰ কাৰণে মই মাজনিশা তোমাৰ স্তৱ কৰিবলৈ উঠোঁ। ৬৩ যিসকলে তোমাক ভয় কৰে আৰু তোমাৰ আদেশবোৰ পালন কৰে, মই তেওঁলোক সকলোৰে সংগী। ৬৪ হে যিহোৱা, পৃথিৱী তোমাৰ দয়াৰে পৰিপূৰ্ণ; মোক তোমাৰ বিধিবোৰ শিকোৱা। ৬৫ তুমি তোমাৰ দাসলৈ মঙ্গল ব্যৱহাৰ কৰিলা; হে যিহোৱা, তোমাৰ বাক্য অনুসাৰে কৰিলা। ৬৬ তুমি মোক ভাল বিচাৰ-বুদ্ধি আৰু জ্ঞান শিকোৱা; কিয়নো মই তোমাৰ আজ্ঞাবোৰত বিশ্বাস কৰোঁ। ৬৭ কষ্ট পোৱাৰ আগেয়ে মই বিপথে গৈছিলোঁ, কিন্তু এতিয়া হ'লে, মই তোমাৰ বাক্য পালন কৰিছোঁ। ৬৮ তুমি মঙ্গলময় আৰু মঙ্গলৰ কাৰ্য কৰা; মোক তোমাৰ বিধিবোৰ শিকোৱা। ৬৯ অহঙ্কাৰীবোৰে মোৰ অহিতে মিছা কথা ৰচিছে; কিন্তু মই হ'লে সমস্ত চিত্তেৰে তোমাৰ আদেশবোৰ পালন কৰোঁ। ৭০ তেওঁলোকৰ হৃদয়ত সত্যতা নাই; কিন্তু মই হ'লে তোমাৰ ব্যৱস্থাত হৰ্ষিত হওঁ। ৭১ মই যি কষ্ট পাইছো, সেয়ে মোৰ পক্ষে শুভজনক, তাতে মই তোমাৰ বিধিবোৰ শিকিব পাৰিছোঁ। ৭২ তোমাৰ মুখৰ ব্যৱস্থাবোৰ মোৰ ওচৰত হাজাৰ হাজাৰ সোণ আৰু ৰূপতকৈয়ো বহুমূল্য। ৭৩ তোমাৰ হাতেই মোক স্ৰজিলে, মোক গঠন কৰিলে; তোমাৰ আজ্ঞাবোৰ শিকিবলৈ মোক জ্ঞান-বুদ্ধি দান কৰা। ৭৪ তোমাক ভয় কৰাসকলে মোক দেখি আনন্দিত হ'ব; কিয়নো মই তোমাৰ বাক্যত আশা কৰিলোঁ। ৭৫ হে যিহোৱা, মই জানো যে, তোমাৰ বিচাৰবোৰ ন্যায়পূৰ্ণ, তুমি নিজ বিশ্বস্ততাৰে মোক দুখ দিলা। ৭৬ তোমাৰ এই দাসৰ ওচৰত তুমি

যি প্ৰতিজ্ঞা কৰিলা, সেই অনুসাৰে তোমাৰ গভীৰ প্ৰেম মোৰ সান্ত্বনা হওঁক। ৭৭ মোলৈ তোমাৰ কৃপা নামি আহঁক, যাতে মই জীয়াই থাকিব পাৰোঁ; কিয়নো তোমাৰ ব্যৱস্থাই মোক আনন্দ দিয়ে। ৭৮ অহংকাৰী লোকে লাজ পাওক, কিয়নো তেওঁলোকে মিছা কথা কৈ মোৰ সৰ্বনাশ কৰিলে; কিন্তু হ'লে মই তোমাৰ আদেশবোৰ ধ্যান কৰিম; ৭৯ যিসকলে তোমাক ভয় কৰে, তেওঁলোক মোলৈ ঘূৰক, যাতে তেওঁলোকে তোমাৰ আজ্ঞাবোৰ জানিব। ৮০ মোৰ অন্তঃকৰণ তোমাৰ বিধিবোৰত যেন সিদ্ধ থাকে, তাতে মই লজ্জিত নহ'ম। ৮১ তুমি মোক ৰক্ষা কৰাৰ প্ৰতীক্ষাত থাকোতে থাকোতে মোৰ প্ৰাণ ক্ৰমশঃ অৱশ হৈ গৈছে; মই তোমাৰ বাক্যত আশা কৰিছোঁ। ৮২ তোমাৰ বাক্যৰ প্ৰতিজ্ঞা পূৰ্ণ হোৱাৰ অপেক্ষাত মোৰ চকু সোমাই গৈছে; মই সুধিলো, "কেতিয়া তুমি মোক সান্ত্বনা দিবা?" ৮৩ কিয়নো মই ধুঁৱাত থকা চামৰাৰ দ্ৰাক্ষাৰস থলীৰ নিচিনা হ'লো; তথাপিও মই তোমাৰ বিধিবোৰ পাহৰা নাই। ৮৪ তোমাৰ দাসে কিমান কাল সহন কৰি থাকিব? মোক তাড়না কৰা সকলৰ বিচাৰ তুমি কেতিয়া কৰিবা? ৮৫ অহঙ্কাৰীবোৰে মোৰ বাবে গাত খান্দিছে; তেওঁলোক তোমাৰ ব্যৱস্থাৰ অনুগামী নহয়। ৮৬ তোমাৰ সকলো আজ্ঞা বিশ্বাসযোগ্য; লোকসকলে অকাৰণতে মোক তাড়না কৰে; তুমি মোক সহায় কৰা। ৮৭ তেওঁলোকে পৃথিৱীত মোক প্ৰায় নিঃশেষ কৰি পেলালে; কিন্তু তথাপিও মই তোমাৰ আদেশবোৰ ত্যাগ কৰা নাই। ৮৮ তোমাৰ গভীৰ প্ৰেমত তুমি মোক সঞ্জীৱিত কৰা, তাতে মই তোমাৰ মুখৰ আজ্ঞাবোৰ পালন কৰিম। ৮৯ যিহোৱা অনন্ত কাললৈকে বিদ্যমান; তোমাৰ বাক্য স্বৰ্গত সুদৃঢ় আছে। ৯০ পুৰুষে পুৰুষে তোমাৰ বিশ্বস্ততা স্থায়ী; তুমি পৃথিৱী স্থাপন কৰিলা আৰু সেয়ে সুস্থিৰ হৈ আছে। ৯১ তুমি নিযুক্ত কৰা অনুসাৰে সেইবোৰ আজিও থিৰে আছে; কিয়নো সকলোৱেই তোমাৰ অধীনৰ দাস। ৯২ তোমাৰ ব্যৱস্থাত যদি মই আনন্দ নাপালোহেঁতেন, তেন্তে মোৰ ক্লেশতে মই বিনষ্ট হ'লহেঁতেন। ৯৩ মই তোমাৰ আদেশবোৰ কেতিয়াও নাপাহৰিম; কিয়নো তাৰ দ্বাৰাই তুমি মোক পুনৰায় সঞ্জীৱিত কৰিলা। ৯৪ মই তোমাৰেই, মোক ৰক্ষা কৰা; কিয়নো মই তোমাৰ আদেশবোৰলৈ

মনোযোগ কৰিলোঁ। ৯৫ দুষ্টবোৰে মোক বিনষ্ট কৰিবলৈ খাপ দি আছে; কিন্তু মই তোমাৰ আজ্ঞাবোৰ বিবেচনা কৰোঁ। ৯৬ মই সকলো শ্রেণীৰ পদাৰ্থ সীমাযুক্ত দেখিলোঁ; কিন্তু তোমাৰ আজ্ঞা অসীম। ৯৭ ওহ, মই তোমাৰ ব্যৱস্থা কেনে ভাল পাওঁ! সেয়ে ওৰে দিন মোৰ ধ্যানৰ বিষয়। ৯৮ তোমাৰ আজ্ঞাই মোক মোৰ শত্রুবোৰতকৈ জ্ঞানৱান কৰি তোলে; কিয়নো তোমাৰ আজ্ঞাবোৰ সদায় মোৰ লগে লগে থাকে। ৯৯ মোৰ সকলো শিক্ষাগুৰুতকৈ মই জ্ঞানৱান; কিয়নো তোমাৰ আজ্ঞাবোৰ মোৰ ধ্যানৰ বিষয়। ১০০ মই বৃদ্ধ লোক সকলতকৈয়ো অধিক বুজোঁ; কাৰণ মই তোমাৰ আদেশবোৰ পালন কৰি আহিছোঁ। ১০১ মই সকলো কু-পথৰ পৰা মোৰ ভৰি আঁতৰাই ৰাখিলোঁ, যাতে মই তোমাৰ বাক্যবোৰ পালন কৰিব পাৰোঁ। ১০২ মই তোমাৰ ধাৰ্মিক শাসন-প্ৰণালীবোৰৰ পৰা আঁতৰি যোৱা নাই; কিয়নো তুমি নিজেই মোক শিক্ষা দিলা। ১০৩ তোমাৰ বাক্যবোৰ মোৰ জিভাত কেনে মিঠা লাগে! সেয়ে মোৰ মুখত মৌৰ কোঁহতকৈয়ো মিঠা লাগে। ১০৪ তোমাৰ আদেশবোৰৰ দ্বাৰাই মই জ্ঞান লাভ কৰোঁ; সেই বাবেই মই সকলো মিছা পথ ঘিণ কৰোঁ। ১০৫ তোমাৰ বাক্য মোৰ ভৰিৰ কাৰণে প্ৰদীপ স্বৰূপ আৰু মোৰ পথৰ দীপ্তি স্বৰূপ। ১০৬ তোমাৰ ধাৰ্মিকতাযুক্ত শাসনপ্ৰণালীবোৰ পালন কৰিবলৈ মই শপত খালোঁ, আৰু স্থিৰ কৰিলোঁ। ১০৭ হে যিহোৱা, মই অতিশয় দুখ পাইছোঁ; তোমাৰ বাক্য অনুসাৰে মোক পুনৰায় সঞ্জীৱিত কৰা। ১০৮ হে যিহোৱা, মোৰ মুখে কৰা প্ৰশংসা-স্তুতিৰ উৎসৰ্গ তুমি গ্ৰহণ কৰা, আৰু তোমাৰ শাসন-প্ৰণালীবোৰ মোক শিকোৱা। ১০৯ মই মোৰ প্ৰাণ সদায় হাতত লৈ ফুৰিছোঁ; তথাপি মই তোমাৰ ব্যৱস্থা পাহৰা নাই। ১১০ দুষ্টবোৰে মোলৈ ফান্দ পাতিলে; তথাপি মই তোমাৰ আদেশবোৰৰ পৰা বিপথে যোৱা নাই। ১১১ তোমাৰ আজ্ঞাবোৰ মোৰ চিৰকালৰ আধিপত্য; সেইবোৰ মোৰ মনৰ আনন্দজনক। ১১২ চিৰকাললৈকে তোমাৰ বিধিবোৰ পালন কৰিবৰ কাৰণে মই মোৰ হৃদয়ক থিৰ কৰিলোঁ। ১১৩ দুই মনৰ লোকক মই ঘিণ কৰোঁ; কিন্তু তোমাৰ ব্যৱস্থাক মই ভাল পাওঁ। ১১৪ তুমি মোৰ গুপ্তস্থান আৰু ঢাল; তোমাৰ বাক্যতে মই আশা কৰোঁ। ১১৫ হে কু-কাৰ্য কৰা লোক,

মোৰ ওচৰৰ পৰা দূৰ হোৱা; মই মোৰ ঈশ্বৰৰ আজ্ঞাবোৰ পালন কৰিম। ১১৬ তোমাৰ বাক্য অনুসাৰে মোক ধৰি ৰাখা, তাতে মই জীয়াই থাকিম; মোৰ আশাত তুমি মোক লাজ পাবলৈ নিদিবা। ১১৭ মোক ধৰি ৰাখা, তাতে মই ৰক্ষা পাম আৰু সদায় তোমাৰ বিধিবোৰক মান্য কৰিম। ১১৮ তোমাৰ বিধিবোৰৰ পৰা অপথে যোৱা সকলক তুমি অগ্ৰাহ্য কৰা; কিয়নো তেওঁলোকৰ প্ৰবঞ্চনা অসাৰ। ১১৯ পৃথিৱীৰ সকলো দুষ্টক তুমি ময়লাৰ দৰে গণ্য কৰি দূৰ কৰা; এই কাৰণে মই তোমাৰ আজ্ঞাবোৰ ভাল পাওঁ। ১২০ তোমাৰ ভয়ত মোৰ শৰীৰ কঁপে; তোমাৰ শাসন-প্ৰণালীবোৰক মই ভয় কৰোঁ। ১২১ মই ন্যায় বিচাৰ আৰু সৎ কাৰ্য কৰিলোঁ; মোক উপদ্ৰৱকাৰীবোৰৰ হাতত এৰি নিদিবা। ১২২ তুমি তোমাৰ এই দাসৰ মঙ্গলৰ দায়িত্ব লোৱা; অহঙ্কাৰীবোৰক মোৰ ওপৰত উপদ্ৰৱ কৰিবলৈ নিদিবা। ১২৩ তোমাৰ ধাৰ্মিকযুক্ত প্ৰতিজ্ঞা পূৰ্ণ হোৱালৈ আৰু তোমাৰ পৰিত্ৰাণৰ বাবে অপেক্ষা কৰি মোৰ চকু দুৰ্বল হৈ গৈছে। ১২৪ তোমাৰ গভীৰ প্ৰেম অনুসাৰে তোমাৰ দাসলৈ ব্যৱহাৰ কৰা; তোমাৰ বিধিবোৰ মোক শিকোঁৱা। ১২৫ মই তোমাৰ দাস; মোক বোধশক্তি দিয়া, যেন তোমাৰ আজ্ঞাবোৰ বুজিব পাৰোঁ। ১২৬ হে যিহোৱা, এতিয়া তোমাৰ কাৰ্য কৰাৰ সময় হৈছে, কিয়নো লোকসকলে তোমাৰ ব্যৱস্থা অমান্য কৰিলে। ১২৭ মই বাস্তৱিকতে তোমাৰ আজ্ঞাবোৰ ভাল পাওঁ; সেইবোৰক সোণতকৈ, শুদ্ধ সোণতকৈয়ো ভাল পাওঁ। ১২৮ এই কাৰণে সকলো বিষয়তে তোমাৰ আদেশবোৰ মই ন্যায় বুলি মানো; মই সকলো মিছা পথ ঘিণ কৰোঁ। ১২৯ তোমাৰ আজ্ঞাবোৰ আচৰিত; সেই বাবেই মোৰ প্ৰাণে সেইবোৰ পালন কৰে। ১৩০ তোমাৰ বাক্য প্ৰকাশিত হ'লে দীপ্তি দিয়ে; সৰল মনৰ লোকক বুজন শক্তি দান কৰে। ১৩১ মই মুখ মেলি ফোপাইছিলো; কিয়নো মই তোমাৰ আজ্ঞাৰ বাবে অতিশয় হাবিয়াহ কৰিলোঁ। ১৩২ তোমাৰ নাম ভাল পোৱা সকলৰ প্ৰতি তুমি যেনে ৰীতি কৰা, তেনেদৰে মোলৈও ঘূৰি মোৰ প্ৰতি কৃপা কৰা। ১৩৩ তোমাৰ প্ৰতিজ্ঞা অনুসাৰে মোৰ খোজ সুস্থিৰ কৰি ৰাখা আৰু কোনো অধৰ্মক মোৰ ওপৰত অধিকাৰ কৰিবলৈ নিদিবা। ১৩৪ মানুহৰ উপদ্ৰৱৰ পৰা

মোক মুক্ত কৰা, তাতে মই তোমাৰ আদেশবোৰ পালন কৰিম। ১৩৫
তোমাৰ দাসৰ ওপৰত তোমাৰ মুখ উজ্জ্বল কৰা; তোমাৰ বিধিবোৰ
মোক শিকোৱা। ১৩৬ মোৰ চকুৰ পৰা চকুলোৰ নদী বৈ গৈছে;
কিয়নো লোকসকলে তোমাৰ ব্যৱস্থা পালন নকৰে। ১৩৭ হে যিহোৱা,
তুমি ধাৰ্মিক, আৰু তোমাৰ ন্যায় বিচাৰ যথাৰ্থ। ১৩৮ তুমি সকলো
বিশ্বস্ততা আৰু ধাৰ্মিকতাত তোমাৰ আজ্ঞাবোৰৰ আদেশ দিলা। ১৩৯
তোমাৰ উৎসাহে মোক গ্ৰাস কৰিছে; কাৰণ মোৰ শত্ৰুবোৰে তোমাৰ
বাক্যবোৰ পাহৰিলে। ১৪০ তোমাৰ প্ৰতিজ্ঞা উত্তম বুলি প্ৰমাণিত হৈছে;
সেয়ে তোমাৰ দাসে তাক ভাল পায়। ১৪১ যদিও মই সামান্য আৰু
তুচ্ছ, তথাপিও মই তোমাৰ আদেশবোৰ পাহৰা নাই। ১৪২ তোমাৰ
ধাৰ্মিকতা চিৰস্থায়ী ধাৰ্মিকতা আৰু তোমাৰ সকলো ব্যৱস্থা সত্য।
১৪৩ সঙ্কট আৰু দুৰ্দশা মোৰ ওপৰত আহিল; তথাপিও মই তোমাৰ
আজ্ঞাবোৰত আনন্দ পাওঁ। ১৪৪ তোমাৰ আজ্ঞাবোৰ অনন্ত কাললৈকে
ধাৰ্মিক; মোক বুজা শক্তি দিয়া, তাতে মই জীয়াই থাকিম। ১৪৫ মই
সমস্ত মনেৰে প্ৰাৰ্থনা কৰিলোঁ, হে যিহোৱা, মোক উত্তৰ দিয়া; মই
তোমাৰ বিধিবোৰ পালন কৰিম। ১৪৬ মই তোমাকেই মাতিছো, মোক
উদ্ধাৰ কৰা; মই তোমাৰ সকলো আজ্ঞা মানি চলিম। ১৪৭ মই প্ৰভাতৰ
আগেয়েই সহায়ৰ কাৰণে কাতৰোক্তি কৰিলোঁ; তোমাৰ বাক্যবোৰত
আশা কৰিলোঁ। ১৪৮ ৰাতি শেষ হোৱাৰ আগেয়ে মোৰ চকু মেল খায়,
যেন তোমাৰ প্ৰতিজ্ঞাৰ ধ্যান কৰিব পাৰোঁ। ১৪৯ তোমাৰ গভীৰ প্ৰেম
অনুসাৰে মোৰ স্বৰ শুনা; হে যিহোৱা, তোমাৰ ব্যৱস্থা অনুসাৰে মোক
পুনৰায় সঞ্জীৱিত কৰা। ১৫০ কু-কাৰ্য কৰি মোক তাড়না কৰাসকল
ওচৰ চাপি আহিছে; তেওঁলোক তোমাৰ ব্যৱস্থাৰ পৰা দূৰৈত থাকে।
১৫১ কিন্তু হে যিহোৱা, তুমি ওচৰ আৰু তোমাৰ সকলো আজ্ঞা সত্য;
১৫২ বহুত দিনৰ আগেয়ে মই তোমাৰ আজ্ঞাবোৰৰ পৰা জানিছোঁ
যে, তুমি সেইবোৰ চিৰকালৰ কাৰণে স্থাপন কৰিলা। ১৫৩ তুমি মোৰ
দুখলৈ দৃষ্টি কৰা আৰু মোক উদ্ধাৰ কৰা; কিয়নো মই তোমাৰ ব্যৱস্থা
নাপাহৰো। ১৫৪ মোৰ পক্ষে বিবাদ নিষ্পত্তি কৰা আৰু মোক মুক্ত
কৰা; তোমাৰ বাক্যত কৰা প্ৰতিজ্ঞা অনুসাৰে মোক পুনৰায় সঞ্জীৱিত

কৰা; ১৫৫ দুষ্টবোৰৰ পৰা পৰিত্ৰাণ দূৰৈত থাকে; কিয়নো তেওঁলোকে তোমাৰ বিধিবোৰ নিবিচাৰে। ১৫৬ হে যিহোৱা, তোমাৰ কৰুণা অনেক বেচি; তোমাৰ ব্যৱস্থা অনুসাৰে মোক পুনৰায় সঞ্জীৱিত কৰা। ১৫৭ মোৰ তাড়নাকাৰী আৰু শত্ৰু অনেক; কিন্তু মই তোমাৰ আজ্ঞাবোৰৰ পৰা আঁতৰি যোৱা নাই। ১৫৮ মই বিশ্বাস ঘাতকবোৰক দেখি ঘিণ কৰোঁ; কাৰণ তেওঁলোকে তোমাৰ বাক্য পালন নকৰে। ১৫৯ চোৱা, মই তোমাৰ আদেশবোৰ কিমান যে ভাল পাওঁ! হে যিহোৱা, তোমাৰ সুস্থিৰ প্ৰেম অনুসাৰে মোক পুনৰায় সঞ্জীৱিত কৰা। ১৬০ তোমাৰ সমস্ত বাক্য সত্য; তোমাৰ প্ৰত্যেকটো ধাৰ্মিক শাসন-প্ৰণালী চিৰকাল স্থায়ী। ১৬১ অধিকাৰীসকলে মোক অকাৰণে তাড়না কৰে; কিন্তু মোৰ হৃদয়ে তোমাৰ বাক্যলৈ ভয় ৰাখে। ১৬২ মই এনেকৈ তোমাৰ বাক্যত আনন্দ কৰোঁ, যেনেকৈ যুদ্ধত বহুত লুটদ্ৰব্য পোৱা জনে আনন্দ কৰে। ১৬৩ মই মিছাক ঘিণাওঁ আৰু তুচ্ছ কৰোঁ; কিন্তু তোমাৰ ব্যৱস্থাক প্ৰেম কৰোঁ। ১৬৪ তোমাৰ ধাৰ্মিকতাযুক্ত শাসন-প্ৰণালীবোৰৰ কাৰণে মই দিনে সাতবাৰকৈ তোমাৰ প্ৰশংসা কৰোঁ। ১৬৫ যিসকলে তোমাৰ ব্যৱস্থাক প্ৰেম কৰে, তেওঁলোকৰ পৰম শান্তি হয়; একোতেই তেওঁলোক উজুটি নাখায়। ১৬৬ হে যিহোৱা, মই তোমাৰ পৰিত্ৰাণলৈ আশাৰে আছোঁ; মই তোমাৰ আজ্ঞাবোৰ পালন কৰিলোঁ। ১৬৭ মোৰ প্ৰাণে তোমাৰ আজ্ঞাবোৰ পালন কৰিলে; মই সেইবোৰক অতি প্ৰেম কৰোঁ। ১৬৮ মই তোমাৰ আদেশ আৰু আজ্ঞাবোৰ পালন কৰিলোঁ; কিয়নো মোৰ সকলো পথ তোমাৰ সন্মুখতে আছে। ১৬৯ হে যিহোৱা, মোৰ কাতৰোক্তি তোমাৰ সন্মুখত উপস্থিত হওক; তোমাৰ বাক্য অনুসাৰে মোক বোধ-শক্তি দান কৰা। ১৭০ মোৰ নিবেদনবোৰ তোমাৰ সন্মুখত উপস্থিত হওক; তোমাৰ প্ৰতিজ্ঞাৰ দৰে মোক উদ্ধাৰ কৰা। ১৭১ মোৰ ওঁঠত তোমাৰ প্ৰশংসা উপচি পৰক; কিয়নো তুমি মোক তোমাৰ বিধিবোৰ শিকাইছা। ১৭২ মোৰ জিভাই তোমাৰ প্ৰতিজ্ঞাৰ গীত গাওঁক; কিয়নো তোমাৰ সকলো আজ্ঞা ন্যায়পূৰ্ণ। ১৭৩ তোমাৰ হাতে মোক সহায় কৰিবলৈ যুগুত হওক; কিয়নো মই তোমাৰ আদেশবোৰ পালন কৰিবলৈ মনোনীত কৰিলোঁ। ১৭৪ হে যিহোৱা, মই তোমাৰ পৰিত্ৰাণলৈ

আকাংক্ষা কৰিছোঁ; তোমাৰ ব্যৱস্থা মোৰ আনন্দৰ বিষয় ১৭৫ মোক
জীয়াই থাকিবলৈ দিয়া যাতে মই তোমাৰ প্ৰশংসা কৰিব পাৰোঁ;
তোমাৰ শাসন-প্ৰণালীবোৰে মোক সহায় কৰক। ১৭৬ হেৰোৱা মেৰ-
ছাগৰ দৰে মই ভ্ৰান্ত হলোঁ; তোমাৰ দাসক তুমি বিচাৰি লোৱা; কিয়নো
তোমাৰ আজ্ঞাবোৰ মই পাহৰা নাই।

১২০ মোৰ সঙ্কটৰ কালত মই যিহোৱাৰ ওচৰত প্ৰাৰ্থনা কৰিলোঁ;
তাতে তেওঁ মোক উত্তৰ দিলে। ২ "হে যিহোৱা, মিছলীয়া ওঁঠ আৰু
ছলনাকাৰী জিভাৰ পৰা তুমি মোক মুক্ত কৰা।" ৩ হে ছলনাকাৰী
জিভা, তোমাক তেওঁ কি দিব? তোমাক অধিক শাস্তি দিবলৈ কি কৰা
হ'ব? ৪ তেওঁ তোমাক বীৰৰ তীকষ্ন কাঁড়সমূহ আৰু ৰোতম গছৰ
জ্বলা আঙঠাসমূহ দিব। ৫ হায়, কি দুৰ্ভাগ্য মোৰ! মই মেচেকত প্ৰবাস
কৰিছোঁ; কেদৰৰ তম্বুবোৰৰ মাজত বসতি কৰিছোঁ। ৬ যি সকলে
শান্তিক ঘৃণা কৰে, সেই লোকসকলৰ সৈতে মই বহুকাল বাস কৰিছোঁ।
৭ মই শান্তি ভাল পাওঁ; কিন্তু মই শান্তিৰ কথা ক'লে, তেওঁলোকে যুদ্ধ
কৰিবলৈ বিচাৰে।

১২১ মই পৰ্ব্বতবোৰৰ ফালে মোৰ চকু তুলি কওঁ, ক'ৰ পৰা মোৰ
সহায় আহিব? ২ যি জনাই আকাশ-মণ্ডল আৰু পৃথিৱী সৃষ্টি কৰিলে,
সেই যিহোৱাৰ পৰা মোৰ সহায় আহিব। ৩ তেওঁ তোমাৰ ভৰি লৰচৰ
হ'বলৈ নিদিব; তোমাৰ ৰখীয়াজনা টোপনি নাযাব। ৪ চোৱা, যি জনাই
ইস্রায়েলক ৰক্ষা কৰে, তেওঁ টোপনি নাযাব, নিদ্ৰিত নহ'ব। ৫ যিহোৱা
তোমাৰ ৰক্ষক; যিহোৱা তোমাৰ সোঁ হাতে থকা তোমাৰ ছাঁস্বৰূপ।
৬ দিনত সূৰ্যই তোমাক প্ৰহাৰ নকৰিব, আৰু ৰাতি চন্দ্ৰয়ো তোমাক
নামাৰিব। ৭ যিহোৱাই তোমাক সকলো অমঙ্গলৰ পৰা ৰক্ষা কৰিব;
তেওঁ তোমাৰ প্ৰাণ ৰক্ষা কৰিব। ৮ যিহোৱাই এতিয়াৰ পৰা অনন্ত
কাললৈকে তুমি ওলাওঁতে সোমাওঁতে তোমাক ৰক্ষা কৰিব।

১২২ মই আনন্দিত হ'লো, যেতিয়া লোকসকলে মোক ক'লে,
"ব'লা, আমি যিহোৱাৰ গৃহলৈ যাওঁ।" ২ হে যিৰূচালেম, আমি তোমাৰ
দুৱাৰবোৰৰ ভিতৰত ভৰি থৈ থিয় হৈ আছোঁ। ৩ সেই যিৰূচালেমক
একেলগে সুদৃঢ়ভাৱে সংযুক্ত কৰা এটি নগৰ হিচাবে গঢ়ি তোলা

হৈছে। ৪ সকলো ফৈদ সেই ঠাইলৈ উঠি যায়, তেওঁলোক যিহোৱাৰ
লোকসকলৰ ফৈদ; তেওঁলোকে ইস্ৰায়েল জাতিৰ বাবে দিয়া আজ্ঞা
অনুসাৰে যিহোৱাৰ নামৰ ধন্যবাদ কৰিবলৈ উঠি যায়। ৫ কিয়নো সেই
ঠাইত বিচাৰৰ বাবে সিংহাসনবোৰ আছে, দায়ুদৰ বংশৰ সিংহাসনবোৰ
স্থাপিত আছে। ৬ তোমালোকে যিৰূচালেমৰ শান্তিৰ অৰ্থে প্ৰাৰ্থনা
কৰা; "যিসকলে যিৰূচালেমক ভাল পায়, তেওঁলোক উন্নত হওঁক। ৭
তোমালোকৰ প্ৰাচীৰবোৰৰ ভিতৰত শান্তি হওঁক, আৰু তোমালোকৰ
উচ্চ অট্টালিকাবোৰ নিৰাপদে থাকক।" ৮ মোৰ কুটুম্ব আৰু বন্ধুসকলৰ
অৰ্থে মই ক'ম, "যিৰূচালেমৰ মাজত শান্তি থাকক।" ৯ আমাৰ ঈশ্বৰ
যিহোৱাৰ গৃহ সেই ঠাইত আছে বাবেই মই তোমাৰ মঙ্গল বিচাৰি
প্ৰাৰ্থনা কৰিম।

**১২৩** হে স্বৰ্গৰ সিংহাসনত থাকোঁতা জনা, মই তোমাৰ ফালেই
মোৰ চকু তুলি চাই থাকোঁ। ২ গৰাকীৰ হাতলৈ যেনেকৈ দাসবোৰৰ
চকু থাকে, আৰু দাসীৰ চকু যেনেকৈ গৰাকীয়ণীৰ হাতৰ ফালে থাকে,
তেনেকৈ আমাক কৃপা নকৰা পৰ্যন্ত আমাৰ চকুৱে আমাৰ ঈশ্বৰ
যিহোৱালৈ চাই থাকে। ৩ আমাক কৃপা কৰা, হে যিহোৱা, আমাক
কৃপা কৰা; কিয়নো আমি লোকসকলৰ তুচ্ছ-তাচ্ছিল্যত অধিককৈ
পোঁত গ'লো। ৪ আমাৰ প্ৰাণে বহন কৰিব পৰাতকৈ লোকসকলৰ
বিদ্ৰূপ আৰু অহঙ্কাৰীবোৰৰ অপমান অধিক হ'ল।

**১২৪** ইস্ৰায়েলে ইয়াকে কওঁক, "যদি যিহোৱা আমাৰ পক্ষত
নাথাকিলহেঁতেন, ২ শত্ৰুবোৰে যেতিয়া আমাক আক্ৰমণ কৰিছিল,
তেতিয়া যদি যিহোৱা আমাৰ পক্ষত নাথাকিলহেঁতেন, ৩ তেন্তে
তেওঁলোকে আমাৰ বিৰুদ্ধে ক্ৰোধত জ্বলি উঠি আমাক জীয়াই জীয়াই
গ্ৰাস কৰিলেহেঁতেন, ৪ তেতিয়া জল সমূহে আমাক উটুৱাই লৈ
গ'লহেতেঁন, আমাৰ ওপৰেদি জলৰ সোঁত বৈ গ'লহেতেঁন; ৫ ওফন্দি
উঠা জল সমূহ আমাৰ ওপৰেদি বৈ গ'লহেতেঁন। ৬ ধন্য যিহোৱা, যি
জনাই আমাক চিকাৰ স্বৰূপে তেওঁলোকৰ দাঁতত পেলাই নিদিলে। ৭
আমাৰ প্ৰাণ ব্যাধৰ ফান্দৰ পৰা ৰক্ষা পোৱা পক্ষীৰ নিচিনাকৈ ৰক্ষা
পৰিল; ফান্দ ছিঙি গ'ল আৰু আমি ৰক্ষা পালোঁ। ৮ যি জনাই আকাশ-

মণ্ডল আৰু পৃথিৱী সৃষ্টি কৰিলে, সেই যিহোৱাৰ নামত আমি সহায় পাওঁ।

**১২৫** যিসকলে যিহোৱাৰ ওপৰত ভাৰসা ৰাখে, তেওঁলোক চিয়োন পৰ্বতৰ নিচিনাকৈ অলৰ আৰু চিৰকাল স্থায়ী। ২ যিৰূচালেমক পৰ্বতবোৰে যেনেকৈ চাৰিওফালে আবৰি ৰাখিছে, তেনেকৈ যিহোৱাই নিজৰ লোকসকলক আবৰি ৰাখে; এতিয়াৰে পৰা অনন্তকাল পৰ্যন্ত ৰাখিব। ৩ ঈশ্বৰভক্ত সকলে যাতে অধৰ্ম কাৰ্যলৈ হাত নেমেলে, সেই বাবে ধাৰ্মিকসকলক দিয়া দেশৰ ওপৰত দুষ্টতাৰ ৰাজদণ্ড নাথাকিব। ৪ হে যিহোৱা, যিসকলে মঙ্গল আচৰণ কৰে, তুমি তেওঁলোকৰ মঙ্গল কৰা; যিসকলৰ অন্তৰ শুচি, তেওঁলোকৰ মঙ্গল কৰা। ৫ কিন্তু যিসকলে নিজ ইচ্ছাৰে খলা-বমা পথেদি এফলীয়া হৈ যায়, যিহোৱাই তেওঁলোকক কু-কাৰ্য কৰা সকলৰ লগত দূৰ কৰিব। ইস্ৰায়েলৰ ওপৰত শান্তি হওঁক।

**১২৬** যিহোৱাই যেতিয়া চিয়োনক পুনৰ আগৰ অৱস্থালৈ ঘূৰাই আনিলে, তেতিয়া আমি সপোন দেখা মানুহৰ নিচিনা হ'লো। ২ তেতিয়া আমাৰ মুখ হাঁহিৰে ভৰি পৰিল, আমাৰ জিভা আনন্দ-গানেৰে পৰিপূৰ্ণ হ'ল; আন জাতিৰ লোকসকলে তেতিয়া কোৱাকুই কৰিলে, "যিহোৱাই তেওঁলোকৰ কাৰণে অনেক মহৎ কাৰ্য কৰিলে।" ৩ যিহোৱাই আমাৰ কাৰণে অনেক মহৎ কৰ্ম কৰিলে; সেয়ে আমি আনন্দ কৰিলোঁ। ৪ হে যিহোৱা, নেগেভ মৰুভূমিৰ জুৰিবোৰৰ নিচিনাকৈ, তুমি আমাৰ ভৰিষ্যত আগৰ অৱস্থালৈ ঘূৰাই আনা। ৫ যিসকলে চকুলোৰে বয়, তেওঁলোকে আনন্দেৰে দাব। ৬ যিসকলে কান্দি কান্দি কঠীয়া ববলৈ ওলাই যায়, তেওঁলোকে নিশ্চয়ে আনন্দেৰে নিজৰ নিজৰ ডাঙৰি লৈ উলটি আহিব।

**১২৭** যিহোৱাই গৃহ নিৰ্ম্মাণ নকৰিলে, নিৰ্ম্মাণ কৰাসকলৰ পৰিশ্ৰম বৃথা; যিহোৱাই নগৰ ৰক্ষা নকৰিলে, ৰখীয়াই পৰ দিয়াও মিছা। ২ মিছাকৈয়ে তোমালোকে পৰিশ্ৰম কৰিবলৈ ৰাতিপুৱা সোনকালে উঠা আৰু পলমকৈ শয়ন কৰিবলৈ যোৱা, আৰু পৰিশ্ৰমৰ আহাৰ ভক্ষণ

কৰা; কিয়নো প্ৰেম কৰাজনক যিহোৱাই নিদ্ৰা অৱস্থাতো একেৰূপ ফল
দিয়ে। ৩ সন্তান সকল যিহোৱাই দিয়া আধিপত্য আৰু গৰ্ভফল তেৱেঁই
দিয়া পুৰস্কাৰ। ৪ বীৰৰ হাতত কাঁড়বোৰ যেনে, যুবা সন্তান সকলো
তেনে। ৫ সেই পুৰুষ সুখী, যিজনৰ কাঁড়েৰে পূৰ্ণ কাঁড় থোৱা চুঙা
থাকে। নগৰৰ দুৱাৰত শত্ৰুবোৰে সৈতে তেওঁ যেতিয়া কথা পাতে,
তেওঁ লজ্জিত নহ'ব।

**১২৮** ধন্য সেইজন, যি জনে যিহোৱালৈ ভয় ৰাখে, আৰু তেওঁৰ
পথত চলে; ২ তুমি নিজ হাতৰ শ্ৰমৰ ফল ভোগ কৰিবা, তুমি সুখী হ'বা
আৰু তোমাৰ মঙ্গল হ'ব। ৩ তোমাৰ গৃহৰ ভিতৰৰ অন্তঃপুৰত তোমাৰ
ভাৰ্যা ফলৱতী দ্ৰাক্ষালতাৰ নিচিনা হ'ব; তোমাৰ মেজৰ চাৰিওফালে
তোমাৰ সন্তান সকল জিত গছৰ পুলিৰ নিচিনা হ'ব। ৪ এইদৰে
যিজনে যিহোৱালৈ ভয় ৰাখে, তেওঁ আশীৰ্ব্বাদ প্ৰাপ্ত হ'ব। ৫ যিহোৱাই
চিয়োনৰ পৰা তোমাক আশীৰ্ব্বাদ কৰিব; তোমাৰ জীৱনৰ সকলো
কালত তুমি যিৰূচালেমৰ মঙ্গল দেখা পাবা। ৬ এনে কি, তুমি তোমাৰ
সন্তানৰ বংশকো দেখা পাবা। ইস্ৰায়েলৰ ওপৰত শান্তি হওক।

**১২৯** ইস্ৰায়েলে কওঁক, "যৌৱন কালৰ পৰাই তেওঁলোকে মোক
অনেক আক্ৰমণ কৰিলে।" ২ "যৌৱন কালৰে পৰা তেওঁলোকে মোক
অনেক দুখ দিলে; তথাপি মোক জিনিব পৰা নাই। ৩ হালোৱাই
মোৰ পিঠিত হাল বালে; তেওঁলোকে দীঘলকৈ সীৰলু কাটিলে।" ৪
যিহোৱা ধাৰ্মিক; তেওঁ মোক দুষ্টলোকৰ দাসত্বৰ পৰা মুক্ত কৰিলে।
৫ যিসকলে চিয়োনক ঘিণ কৰে, তেওঁলোক লজ্জিত হওঁক, বিমুখ
হওঁক। ৬ তেওঁলোক ঘৰৰ চালৰ ওপৰত গজা ঘাঁহৰ দৰে হওঁক, যি
নৌ বাঢ়োতেই শুকাই যায়; ৭ যেয়ে তাক দাব বিচাৰে, তাৰে তেওঁৰ
হাতৰ মুঠি পূৰ নহয়, যেয়ে তাক ডাঙৰি বান্ধিব বিচাৰে, তাৰে তেওঁৰ
ভড়াল পূৰ্ণ নহয়। ৮ বাটৰুৱাবোৰে সেই ফালেদি গ'লে তেওঁলোকক
এনেদৰে নকয়, "তোমালোকৰ ওপৰত যিহোৱাৰ আশীৰ্ব্বাদ থাকক!
যিহোৱাৰ নামেৰে আমি তোমালোকক আশীৰ্ব্বাদ দিছোঁ।"

**১৩০** হে যিহোৱা, মই গভীৰ কষ্টৰ মাজত থাকি তোমাক মাতিছো।
২ হে প্ৰভু, মোৰ স্বৰ শুনা! মোৰ কাকুতিৰ স্বৰলৈ তুমি মনোযোগ

দিয়া! ৩ হে যিহোৱা, তুমি যদি অপৰাধ ধৰি ৰাখা, তেন্তে প্ৰভু,
কোন তিষ্ঠি থাকিব পাৰে? ৪ কিন্তু তোমাৰ ওচৰত ক্ষমা আছে,
যেন মানুহে তোমাক ভয় কৰে। ৫ মই যিহোৱালৈ অপেক্ষা কৰিছোঁ,
মোৰ প্ৰাণে অপেক্ষা কৰিছে, মই তেওঁৰ বাক্যত আশা কৰিছোঁ। ৬
প্ৰহৰীসকলে যেনেকৈ ৰাতিপুৱালৈ অপেক্ষা কৰে, হয়, তেওঁলোকে
যেনেকৈ ৰাতিপুৱালৈ অপেক্ষা কৰি থাকে, যিহোৱাৰ কাৰণে মোৰ
প্ৰাণে তাতোকৈ অধিক বেচি অপেক্ষা কৰি আছে। ৭ হে ইস্ৰায়েল,
যিহোৱাৰ ওপৰত আশা ৰাখা, কিয়নো যিহোৱাৰ লগত সুস্থিৰ প্ৰেম
আছে; তেওঁৰ মুক্তি দিয়াৰ মহান ক্ষমতা আছে। ৮ তেৱেঁ ইস্ৰায়েলক
মুক্ত কৰিব, সকলো অপৰাধৰ পৰা মুক্ত কৰিব।

**১৩১** হে যিহোৱা, মোৰ মন গৰ্বিত নহয়, মোৰ দৃষ্টিও উচ্চ নহয়,
নিজৰ কাৰণে মোৰ কোনো মহান আশা নাই, নাইবা মোৰ পক্ষে
অসম্ভৱ আশ্চৰ্য বিষয়বোৰ লৈয়ো মই চিন্তিত নহও। ২ কিন্তু মই মোৰ
প্ৰাণক সুস্থিৰ আৰু শান্ত কৰি ৰাখিলোঁ, যেনেকৈ পিয়াহ এৰা শিশুটি
মাকৰ ওচৰত শান্ত হৈ থাকে; মোৰ ভিতৰত থকা প্ৰাণটো পিয়াহ এৰা
শিশুটিৰ দৰে মোৰ লগতে আছে। ৩ হে ইস্ৰায়েল, যিহোৱাত আশা
ৰাখা, এতিয়াৰ পৰা অনন্ত কাললৈকে।

**১৩২** হে যিহোৱা, তুমি দায়ুদৰ পক্ষত থাকি তেওঁ সহন কৰা
সকলো ক্লেশ সোঁৱৰণ কৰা; ২ তেওঁ কেনেকৈ যিহোৱাৰ ওচৰত শপত
খাইছিল, যাকোবৰ সৰ্বশক্তিমান জনাৰ ওচৰত সঙ্কল্প কৰিছিল। ৩
তেওঁ কৈছিল, “মই নিজ গৃহত প্ৰৱেশ নকৰিম, নিজৰ শয্যাতো শয়ন
নকৰিম, ৪ মই মোৰ চকুক নিদ্ৰা যাবলৈ নিদিম, চকুৰ পতাক তন্দ্ৰা-মগ্ন
হ’বলৈ নিদিম, ৫ যেতিয়ালৈকে মই যিহোৱাৰ কাৰণে এক স্থান বিচাৰি
নাপাওঁ, যাকোবৰ সৰ্বশক্তিমান জনাৰ কাৰণে এক আবাস বিচাৰি
নাপাওঁ।” ৬ চোৱা, আমি ইফ্ৰাথাত এই বিষয়ে শুনিছিলোঁ, কিন্তু যিয়াৰৰ
পথাৰত তাক পালোঁ। ৭ “আহাঁ, আমি তেওঁৰ আবাসলৈ যাওঁ, তেওঁৰ
চৰণ তলত প্ৰণিপাত কৰোঁ।” ৮ হে যিহোৱা, উঠা; তোমাৰ বিশ্ৰাম
স্থানলৈ আহাঁ; তুমি আহাঁ আৰু তোমাৰ শক্তিৰ চন্দুক আঁহক। ৯ তোমাৰ
পুৰোহিতসকলে ধাৰ্মিকতাৰূপ বস্ত্ৰ পিন্ধক, তোমাৰ ভক্তগণে আনন্দ-

ধ্বনি কৰক। ১০ তোমাৰ দাস দায়ুদৰ কাৰণে তোমাৰ অভিষিক্ত
ৰজাক তুমি বিমুখ নকৰিবা।” ১১ যিহোৱাই দায়ুদৰ আগত নিশ্চিত
ৰূপে এই শপত খালে, তেওঁ তাৰ পৰা কেতিয়াও বিচলিত নহ’ব;
“তোমাৰ ঔৰসত জন্মা সন্তান সকলৰ এজনক মই তোমাৰ সিংহাসনত
বহুৱাম। ১২ তোমাৰ সন্তান সকলে যদি মোৰ নিয়মটি পালন কৰে,
আৰু মই দিয়া আদেশবোৰ মানি চলে, যিবোৰ মই তেওঁলোকক
শিকাম, তেন্তে তেওঁলোকৰ সন্তান সকলেও চিৰকাললৈকে তোমাৰ
সিংহাসনত বহিব।” ১৩ কিয়নো যিহোৱাই চিয়োনক মনোনীত কৰিলে,
তেওঁ নিজৰ আবাসৰ কাৰণে তাকে বিচাৰিলে; ১৪ তেওঁ ক’লে, “এয়ে
মোৰ চিৰকালৰ বিশ্ৰাম স্থান; মই এই স্থানতে বাস কৰিম, কিয়নো মই
ইয়াকে ইচ্ছা কৰিলোঁ। ১৫ মই চিয়োনৰ খাদ্য-বস্তুক অধিক আশীৰ্ব্বাদ
কৰিম, মই ইয়াৰ দৰিদ্ৰ লোকসকলক আহাৰেৰে তৃপ্ত কৰিম, ১৬ মই
ইয়াৰ পুৰোহিতসকলক পৰিত্ৰাণ ৰূপ বস্ত্ৰ পিন্ধাম; ইয়াৰ ভক্তসকলে
উচ্চস্বৰেৰে আনন্দ ধ্বনি কৰিব। ১৭ তাতে মই দায়ুদৰ বংশৰ পৰা
এজনক মহান ৰজা পাতিলো, মই সংৰক্ষণৰ কাৰণে মোৰ নিৰ্বাচিত
এজনক ৰজা স্বৰূপে নিযুক্ত কৰিলোঁ। ১৮ মই তেওঁৰ শত্ৰুবোৰক
লজ্জাৰূপ বস্ত্ৰ পিন্ধাম, কিন্তু তেওঁৰ মূৰত হ’লে তেওঁৰ কিৰীটি জিলিকি
থাকিব।”

**১৩৩** ই কেনে উত্তম আৰু কেনে আনন্দময় হয়, যেতিয়া স্বজাতীয়
লোকে একেলগে ঐক্যতাৰে বাস কৰে! ২ তেওঁলোক মূৰত ঢলা
বহুমূল্য তেলৰ নিচিনা, যি তললৈ দাড়িলৈকে নামি আহে, হাৰোণৰেই
দাড়িৰ ওপৰেদি নামি গৈ তেওঁৰ বস্ত্ৰৰ ডিঙিলৈকে বৈ আহিল! ৩ সেয়ে
হৰ্মোণ পৰ্বতৰ নিয়ৰৰ নিচিনা, যি চিয়োনৰ পৰ্বতমালাৰ ওপৰলৈ নামি
আহিল; কিয়নো তাত যিহোৱাই তেওঁৰ আশীৰ্ব্বাদৰ ৰায় দিলে, অনন্ত
কালৰ নিমিত্তে জীৱনৰ ৰায় দিলে।

**১৩৪** হে যিহোৱাৰ দাসবোৰ, তোমালোকৰ যিসকলে যিহোৱাৰ
গৃহত ৰাতি থিয় হৈ তেওঁৰ পৰিচৰ্যা কৰি থাকা, তোমালোকে যিহোৱাৰ
ধন্যবাদ কৰা। ২ তোমালোকে পবিত্ৰ স্থানৰ ফাললৈ নিজৰ নিজৰ
হাত তুলি যিহোৱাৰ ধন্যবাদ কৰা। ৩ যি জনাই আকাশ-মণ্ডল আৰু

পৃথিৱী সৃষ্টি কৰিলে, সেই যিহোৱাই চিয়োনৰ পৰা তোমাক আশীৰ্ব্বাদ
কৰক।

**১৩৫** তোমালোকে যিহোৱাৰ প্ৰশংসা কৰা। যিহোৱাৰ নামৰ প্ৰশংসা
কৰা। হে যিহোৱাৰ দাসবোৰ, তেওঁৰ প্ৰশংসা কৰা। ২ তোমালোক
যিসকলে যিহোৱাৰ গৃহত, আমাৰ ঈশ্বৰৰ গৃহৰ চোতাল কেইখনত থিয়
হৈ থাকা, তেওঁৰ প্ৰশংসা কৰা! ৩ তোমালোকে যিহোৱাৰ প্ৰশংসা কৰা,
কিয়নো যিহোৱা মঙ্গলময়; তেওঁৰ নামৰ উদ্দেশ্যে গীত-গান কৰা,
কিয়নো তেওঁ দয়াময়। ৪ কাৰণ যিহোৱাই নিজৰ বাবে যাকোবক,
নিজৰ অধিকাৰ স্বৰূপে ইস্ৰায়েলক মনোনীত কৰিলে। ৫ কিয়নো
মই জানো যে যিহোৱা মহান, আমাৰ প্ৰভু সকলো দেৱতাতকৈ
মহান। ৬ আকাশ-মণ্ডলত আৰু পৃথিৱীৰ ওপৰত, সমুদ্ৰত আৰু সকলো
গভীৰ স্থানত যিহোৱাই যি ইচ্ছা কৰে, তাকে কৰে। ৭ তেওঁ পৃথিৱীৰ
শেষ সীমাৰ পৰা মেঘ উঠাই আনে; তেঁৱেই বৰষুণৰ লগত বিজুলী-
ঢেৰেকণিৰ সৃষ্টি কৰে আৰু তেওঁৰ নিজ ভঁৰালৰ পৰা বায়ু উলিয়াই
আনে। ৮ তেঁৱেই মিচৰ দেশত প্ৰথমে জন্মা সন্তান সকলক আঘাত
কৰিছিল; মানুহ আৰু পশু উভয়ৰে প্ৰথম সন্তানক মাৰিলে। ৯ হে
মিচৰ, তেওঁ তোমাৰ মাজত চিন আৰু অদ্ভুত লক্ষণবোৰ পঠালে;
ফৰৌণ আৰু তেওঁৰ সকলো পৰিচাৰকৰ বিৰুদ্ধে পঠাই দিলে। ১০ তেওঁ
অনেক জাতিক আঘাত কৰিলে, পৰাক্ৰমী ৰজাসকলক বধ কৰিলে।
১১ ইমোৰীয়াবোৰৰ ৰজা চীহোন, বাচানৰ ৰজা ওগক বধ কৰিলে;
কনানৰ সমুদায় ৰাজ্য তেওঁ বিনষ্ট কৰিলে। ১২ তেওঁলোকৰ দেশবোৰ
তেওঁ অধিকাৰৰ কাৰণে দিলে; নিজৰ লোক ইস্ৰায়েলক অধিকাৰৰ
কাৰণে দিলে। ১৩ হে যিহোৱা, তোমাৰ নাম অনন্তকাল স্থায়ী; হে
যিহোৱা তোমাৰ স্মৰণ পুৰুষানুক্ৰমে স্থায়ী। ১৪ কিয়নো যিহোৱাই নিজ
লোকসকলৰ বিচাৰ কৰিব, নিজ দাসবোৰক কৃপা কৰিব। ১৫ জাতি
সমূহৰ প্ৰতিমাবোৰ ৰূপৰ আৰু সোণৰ; সেইবোৰ মনুষ্যৰ হাতৰ কাৰ্য।
১৬ সেইবোৰৰ মুখ আছে, কিন্তু সেইবোৰে কথা ক’ব নোৱাৰে; চকু
আছে, কিন্তু নেদেখে; ১৭ কাণ আছে, কিন্তু নুশুনে, সেইবোৰৰ মুখত
শ্বাস-প্ৰশ্বাসো নাই। ১৮ সেইবোৰ নিৰ্ম্মাণ কৰোঁতাসকল সেইবোৰৰেই

নিচিনা; সেইবোৰত ভাৰসা কৰোঁতা প্ৰতিজনো সেইবোৰৰেই নিচিনা।
১৯ হে ইস্ৰায়েলৰ বংশ, যিহোৱাৰ ধন্যবাদ কৰা; হে হাৰোণৰ বংশ,
যিহোৱাৰ ধন্যবাদ কৰা; ২০ হে লেবীৰ বংশ, যিহোৱাৰ ধন্যবাদ কৰা;
হে যিহোৱালৈ ভয় ৰখা ভক্তসকল, তোমালোকে যিহোৱাৰ ধন্যবাদ
কৰা। ২১ চিয়োনৰ পৰা যিহোৱাৰ ধন্যবাদ হওঁক; তেওঁ যিৰূচালেমত
নিবাস কৰে। তোমালোকে যিহোৱাৰ প্ৰশংসা কৰা।

**১৩৬** যিহোৱাৰ ধন্যবাদ কৰা, কিয়নো তেওঁ মঙ্গলময়, কাৰণ
তেওঁৰ প্ৰেম চিৰ-কাললৈকে থাকে। ২ দেৱতাবোৰেও ঈশ্বৰৰ ধন্যবাদ
কৰা, কাৰণ তেওঁৰ প্ৰেম অনন্তকাল স্থায়ী। ৩ প্ৰভুসকলৰো প্ৰভুৰ
ধন্যবাদ কৰা, কাৰণ তেওঁৰ প্ৰেম অনন্তকাল স্থায়ী। ৪ যি জনাই
অকলে মহৎ মহৎ আচৰিত কৰ্ম কৰে, তেওঁৰ ধন্যবাদ কৰা, কাৰণ
তেওঁৰ প্ৰেম অনন্তকাল স্থায়ী। ৫ যি জনাই জ্ঞানেৰে আকাশ-মণ্ডল
সৃষ্টি কৰিলে, তেওঁৰ ধন্যবাদ কৰা, কাৰণ তেওঁৰ প্ৰেম অনন্তকাল
স্থায়ী। ৬ যি জনাই জল সমূহৰ ওপৰত ভূ-মণ্ডল বিস্তাৰ কৰিলে, তেওঁৰ
ধন্যবাদ কৰা, কাৰণ তেওঁৰ প্ৰেম অনন্তকাল স্থায়ী। ৭ যি জনাই মহা
জ্যোতিবোৰ নিৰ্ম্মাণ কৰিলে, তেওঁৰ ধন্যবাদ কৰা, কাৰণ তেওঁৰ প্ৰেম
অনন্তকাল স্থায়ী। ৮ দিনৰ ওপৰত অধিকাৰ কৰিবলৈ সূৰ্য নিৰ্ম্মাণ
কৰিলে, তেওঁৰ ধন্যবাদ কৰা, কাৰণ তেওঁৰ প্ৰেম অনন্তকাল স্থায়ী।
৯ যি জনাই ৰাতিৰ ওপৰত অধিকাৰ কৰিবলৈ চন্দ্ৰ আৰু তৰাবোৰ
নিৰ্ম্মাণ কৰিলে, তেওঁৰ ধন্যবাদ কৰা, কাৰণ তেওঁৰ প্ৰেম অনন্তকাল
স্থায়ী। ১০ যি জনাই মিচৰৰ প্ৰথমে জন্মাসকলক আঘাত কৰিলে,
তেওঁৰ ধন্যবাদ কৰা, কাৰণ তেওঁৰ প্ৰেম অনন্তকাল স্থায়ী। ১১ যি
জনাই ইস্ৰায়েলক তেওঁলোকৰ মাজৰ পৰা উলিয়াই আনিলে, তেওঁৰ
ধন্যবাদ কৰা, কাৰণ তেওঁৰ প্ৰেম অনন্তকাল স্থায়ী। ১২ যি জনাই
পৰাক্ৰমী হাত আৰু মেলা বাহুৰে তেওঁলোকক উলিয়াই আনিলে,
তেওঁৰ ধন্যবাদ কৰা, কাৰণ তেওঁৰ প্ৰেম অনন্তকাল স্থায়ী। ১৩ যি
জনাই চূফ সাগৰক দুভাগ কৰিলে, তেওঁৰ ধন্যবাদ কৰা, কাৰণ তেওঁৰ
প্ৰেম অনন্তকাল স্থায়ী। ১৪ যি জনাই ইস্ৰায়েলক তাৰ মাজেদি পাৰ
কৰালে, তেওঁৰ ধন্যবাদ কৰা, কাৰণ তেওঁৰ প্ৰেম অনন্তকাল স্থায়ী।

১৫ যি জনাই ফৰৌণ আৰু তেওঁৰ সৈন্য সমূহক চূফ সাগৰত পেলাই
দিলে, তেওঁৰ ধন্যবাদ কৰা, কাৰণ তেওঁৰ প্ৰেম অনন্তকাল স্থায়ী। ১৬
যি জনাই মৰুভূমিৰ মাজেদি নিজৰ লোকসকলক চলাই নিলে, তেওঁৰ
ধন্যবাদ কৰা, কাৰণ তেওঁৰ প্ৰেম অনন্তকাল স্থায়ী। ১৭ যি জনাই মহান
ৰজাসকলক প্ৰহাৰ কৰিলে, তেওঁৰ ধন্যবাদ কৰা, কাৰণ তেওঁৰ প্ৰেম
অনন্তকাল স্থায়ী। ১৮ যি জনাই প্ৰতাপী ৰজাসকলক বধ কৰিলে,
তেওঁৰ ধন্যবাদ কৰা, কাৰণ তেওঁৰ প্ৰেম অনন্তকাল স্থায়ী। ১৯ যি
জনাই ইমোৰীয়াবোৰৰ ৰজা চীহোনক বধ কৰিলে, তেওঁৰ ধন্যবাদ
কৰা, কাৰণ তেওঁৰ প্ৰেম অনন্তকাল স্থায়ী। ২০ যি জনাই বাচানৰ
ৰজা ওগক বধ কৰিলে, তেওঁৰ ধন্যবাদ কৰা, কাৰণ তেওঁৰ প্ৰেম
অনন্তকাল স্থায়ী। ২১ যি জনাই তেওঁলোকৰ দেশ আধিপত্য স্বৰূপে
দিলে, তেওঁৰ ধন্যবাদ কৰা, কাৰণ তেওঁৰ প্ৰেম অনন্তকাল স্থায়ী। ২২
যি জনাই তেওঁলোকৰ দেশ নিজ দাস ইস্ৰায়েলক অধিকাৰৰ কাৰণে
দিলে, তেওঁৰ ধন্যবাদ কৰা, কাৰণ তেওঁৰ প্ৰেম অনন্তকাল স্থায়ী। ২৩
যি জনাই আমাৰ হীন অৱস্থাত আমাক সুঁৱৰিলে, তেওঁৰ ধন্যবাদ কৰা,
কাৰণ তেওঁৰ প্ৰেম অনন্তকাল স্থায়ী। ২৪ যি জনাই আমাক আমাৰ
শত্ৰুবোৰৰ পৰা উদ্ধাৰ কৰিলে, তেওঁৰ ধন্যবাদ কৰা, কাৰণ তেওঁৰ
প্ৰেম অনন্তকাল স্থায়ী। ২৫ যি জনাই সমুদায় প্ৰাণীকে আহাৰ দিয়ে,
তেওঁৰ ধন্যবাদ কৰা, কাৰণ তেওঁৰ প্ৰেম অনন্তকাল স্থায়ী। ২৬ স্বৰ্গৰ
ঈশ্বৰৰ ধন্যবাদ কৰা, কাৰণ তেওঁৰ প্ৰেম অনন্তকাল স্থায়ী।

**১৩৭** যেতিয়া আমাৰ চিয়োনলৈ মনত পৰিছিল, তেতিয়া বাবিলৰ
নদীবিলাকৰ তীৰত বহি আমি কান্দিছিলোঁ। ২ সেই ঠাইৰ মাজত
থকা বাইচি গছত, আমি আমাৰ বীণাবোৰ আৰি থৈছিলোঁ। ৩ কিয়নো
তাত আমাক বন্দী কৰি নিয়াসকলে আমাক গান গাবলৈ কৈছিল, সেই
উপদ্ৰৱকাৰীবোৰে আমাৰ পৰা আনন্দৰ গান শুনিবলৈ বিচাৰিছিল;
তেওঁলোকে কৈছিল, "আমাৰ আগত চিয়োনৰ এটি গীত গোৱা।" ৪
আমি কেনেকৈ বিদেশী ভূমিত যিহোৱাৰ গীত-গান কৰিম? ৫ হে
যিৰূচালেম, মই যদি তোমাক পাহৰোঁ, তেন্তে মোৰ সোঁ হাতৰ দক্ষতা
যেন নিজে অকামিলা হৈ যায়। ৬ যদি মই তোমাক সোঁৱৰণ নকৰোঁ,

যদি যিৰূচালেমক মোৰ সবাতোকৈ বেচি আনন্দৰ বিষয় বুলি নাভাৱো,
তেতিয়া মোৰ জিভা তালুত লাগি ধৰক। ৭ হে যিহোৱা, যিৰূচালেমৰ
ধ্বংসৰ দিনা ইদোমীয়াবোৰে যি কৰিছিল তাক তেওঁলোকৰ বিৰুদ্ধে
সোঁৱৰণ কৰা। তেওঁলোকে কৈছিল, “উচ্ছেদ কৰা! যিৰূচালেমক
উচ্ছেদ কৰা, একেবাৰে ইয়াৰ ভেঁটি পৰ্যন্ত উচ্ছেদ কৰা।” ৮ হে বাবিল
কন্যা, তোমাক বিনাশ কৰা হ’ব; তুমি আমাৰ প্ৰতি যেনে ৰূপে ব্যৱহাৰ
কৰিলা, ধন্য সেইজন, যিজনে তোমাকো তেনে ৰূপে প্ৰতিফল দিব। ৯
ধন্য সেইজন, যি জনে তোমাৰ শিশুসকলক ধৰি শিলত আছাৰিব।

**১৩৮** হে যিহোৱা, মোৰ সমস্ত চিত্তেৰে মই তোমাৰ ধন্যবাদ কৰিম;
দেৱতাবোৰৰ আগত মই তোমাৰ প্ৰশংসাৰ গান কৰিম। ২ তোমাৰ
পবিত্ৰ মন্দিৰৰ ফালে প্ৰণিপাত কৰিম; তোমাৰ চিৰস্থায়ী প্ৰেম আৰু
বিশ্বস্ততাৰ কাৰণে তোমাৰ নামৰ ধন্যবাদ কৰিম; কিয়নো তোমাৰ
নাম আৰু তোমাৰ আজ্ঞাবোৰ সকলোতকৈ মহান। ৩ মই প্ৰাৰ্থনা
কৰা কালত তুমি মোক উত্তৰ দিলা; তুমি মোৰ প্ৰাণক শক্তি দি মোক
উৎসাহিত কৰিলা। ৪ হে যিহোৱা, পৃথিৱীৰ সকলো ৰজাই তোমাৰ
ধন্যবাদ কৰিব; কিয়নো তেওঁলোকে তোমাৰ মুখৰ বাক্য শুনিলে। ৫
তেওঁলোকে যিহোৱাৰ পথৰ বিষয়ে গান কৰিব; কিয়নো যিহোৱাৰ
গৌৰৱ মহান। ৬ কাৰণ যদিও যিহোৱা সকলোৰে উচ্চত, তথাপি তেওঁ
হীন অৱস্থাৰ লোকলৈ দৃষ্টি ৰাখে; কিন্তু অহংকাৰী লোকক তেওঁ দূৰৈৰ
পৰাই জানে। ৭ যেতিয়া মই সঙ্কটৰ মাজেদি গমন কৰোঁ, তেতিয়া তুমি
মোৰ প্ৰাণ ৰক্ষা কৰিবা; তুমি মোৰ শত্ৰুবোৰৰ ক্ৰোধৰ অহিতে তোমাৰ
হাত মেলিবা আৰু তোমাৰ সোঁ হাতেৰে মোক উদ্ধাৰ কৰিবা। ৮
যিহোৱাই মোৰ পক্ষে নিজৰ উদ্দেশ্য সিদ্ধ কৰিব; হে যিহোৱা, তোমাৰ
প্ৰেম অনন্তকাল স্থায়ী। তুমি তোমাৰ হাতৰ কৰ্ম ত্যাগ নকৰিবা।

**১৩৯** হে যিহোৱা, তুমি মোৰ বুজ বিচাৰ ল’লা আৰু মোক জানিলা।
২ তুমি মোৰ উঠা আৰু বহাকো জানিছা, দূৰৈৰ পৰাই মোৰ মনৰ চিন্তা
বুজি পোৱা। ৩ তুমি মোৰ পথ আৰু শয়ন বিচাৰ কৰি থাকা; মোৰ
সকলো পথ তুমি ভালদৰে জানা। ৪ কিয়নো হে যিহোৱা, মোৰ জিভাত
কোনো কথা অনাৰ আগেয়েই তুমি সেই সকলো জানা। ৫ আগ-পাছ

সকলো ফালে তুমি মোক ঘেৰি ৰাখিছা আৰু মোৰ ওপৰত তোমাৰ হাত
ৰাখিছা। ৬ এনে জ্ঞান মোৰ ওচৰত অতি আশ্চৰ্য; সেয়ে উচ্চ, মোৰ
বোধৰ অগম্য; ৭ তোমাৰ আত্মাৰ আগৰ পৰা মই ক'লৈ যাব পাৰোঁ?
তোমাৰ সন্মুখৰ পৰা মই ক'লৈ পলাই যাব পাৰিম? ৮ যদি স্বৰ্গত গৈ
উঠোঁ, তাতো তুমি; যদি চিয়োলত মোৰ শয্যা পাৰোঁ, চোৱা, তাতো
তুমি থাকা। (Sheol h7585) ৯ যদি মই অৰুণৰ ডেউকাত ধৰি সমুদ্ৰৰ দূৰ
সীমাত গৈ বসতি কৰোঁ, ১০ তাতো তোমাৰ হাতে মোক চলাব; তোমাৰ
সোঁ হাতে মোক ধৰি ৰাখিব। ১১ যদি মই কওঁ, “আন্ধাৰে মোক ঢাকিব
আৰু মোৰ চাৰিওফালে যি পোহৰ আছে, সেয়ে অন্ধকাৰ হৈ যাব; ১২
বাস্তৱিক তোমাৰ ওচৰত সেই আন্ধাৰ, আন্ধাৰ হৈ নাথাকে; বৰং ৰাতি
দিনৰ পোহৰৰ নিচিনাকৈয়ে উজ্জ্বল হয়; তোমাৰ ওচৰত আন্ধাৰ আৰু
পোহৰ উভয়েই সমান। ১৩ তুমিয়েই মোৰ অন্তৰ্ভাগ সৃষ্টি কৰিলা, তুমি
মোক মাতৃৰ গৰ্ভতে গঠন কৰিলা। ১৪ মই তোমাৰ প্ৰশংসা কৰোঁ;
কিয়নো মই অতি বিস্ময় আৰু আশ্চৰ্যজনক ভাৱে নিৰ্ম্মিত হলোঁ; তোমাৰ
কাৰ্যবোৰ আচৰিত, তাক মই ভালদৰেই জানো। ১৫ যেতিয়া মোক
গোপন স্থানত গঠন কৰা হৈছিল, যেতিয়া মই পৃথিৱীৰ অধঃস্থানত
চমৎকাৰ ৰূপে গঢ় লৈছিলোঁ, তেতিয়াও মোৰ দেহ তোমাৰ পৰা লুকাই
থকা নাছিল। ১৬ তোমাৰ চকুৱে জন্মৰ আগেয়েই মোৰ শৰীৰৰ
গঠনহীন প্ৰকৃতি দেখিলে, তোমাৰ পুস্তকত সকলো লিখা আছিল; মোৰ
কাৰণে যি দিনবোৰ নিৰূপিত কৰা হৈছিল, সেই দিনবোৰ সেই সময়ত
আৰম্ভই হোৱা নাছিল। ১৭ হে ঈশ্বৰ, মোলৈ তোমাৰ পৰিকল্পনাবোৰ
কেনে মূল্যৱান! সেইবোৰ লেখত অগণন! ১৮ যদি মই সেইবোৰ গণনা
কৰিব বিচাৰো, তেতিয়া সেইবোৰ সংখ্যাত বালিতকৈয়ো অধিক হয়;
মই যেতিয়া সাৰ পাওঁ, তেতিয়াওঁ মই তোমাৰ কাষতে থাকো। ১৯ হে
ঈশ্বৰ, তুমি নিশ্চয়ে দুষ্টবোৰক বধ কৰিবা, হে ৰক্তপাতীবোৰ, মোৰ
ওচৰৰ পৰা দূৰ হোৱা। ২০ তেওঁলোকে দুষ্ট ভাৱনাৰে তোমাৰ বিৰুদ্ধে
কথা কয়, তোমাৰ শত্ৰুবোৰে তোমাৰ বিৰুদ্ধে বৃথাই উঠে। ২১ হে
যিহোৱা, যিসকলে তোমাক ঘিণ কৰে, মই জানো তেওঁলোকক ঘিণ
নকৰোঁ? যিসকল তোমাৰ বিৰুদ্ধে উঠে, মই জানো তেওঁলোকৰ প্ৰতি

বিৰক্ত নহওঁ? ২২ মই তেওঁলোকক সম্পূৰ্ণকৈ ঘৃণা কৰোঁ; তেওঁলোকক
মোৰ শত্ৰু বুলি ভাৱো। ২৩ হে ঈশ্বৰ, মোৰ বুজ বিচাৰ লোৱা আৰু মোৰ
অন্তঃকৰণ জানা; মোক পৰীক্ষা কৰি চোৱা আৰু মোৰ সঙ্কল্পবোৰ
জানা; ২৪ মোৰ ভিতৰত দুষ্টতাৰ কোনো পথ আছে কি নাই, তাক
চোৱা, আৰু মোক অনন্তকালৰ পথত গমন কৰোঁৱা।

১৪০ হে যিহোৱা, দুষ্ট লোকৰ হাতৰ পৰা মোক উদ্ধাৰ কৰা,
অত্যাচাৰী লোকৰ হাতৰ পৰা মোক ৰক্ষা কৰা। ২ তেওঁলোকে
মনে মনে কু-কল্পনা কৰে আৰু প্ৰতিদিনে যুদ্ধলৈ উত্তেজিত কৰে।
৩ তেওঁলোকে সাপৰ নিচিনাকৈ নিজৰ নিজৰ জিভা ধাৰ কৰিলে;
তেওঁলোকৰ ওঁঠৰ তলত কালসৰ্পৰ বিষ থাকে! (চেলা) ৪ হে যিহোৱা,
দুষ্টৰ হাতৰ পৰা মোক উদ্ধাৰ কৰা, অত্যাচাৰী লোকৰ হাতৰ পৰা
মোক ৰক্ষা কৰা; মোৰ ভৰি যেন উজুটি খায়, তাৰ বাবে তেওঁলোকে
কৌশল ৰচিলে। ৫ অহঙ্কাৰীবোৰে মোলৈ গুপুতে ফান্দ প্ৰস্তুত কৰিলে;
তেওঁলোকে জৰীবোৰ জালৰ দৰে মেলিলে; তেওঁলোকে বাটৰ কাষত
মোলৈ ফান্দ পাতিলে। (চেলা) ৬ মই যিহোৱাক কলোঁ, “তুমিয়েই
মোৰ ঈশ্বৰ; হে যিহোৱা, মোৰ কাকুতিৰ স্বৰলৈ কাণ পাতা।” ৭
হে যিহোৱা, মোৰ প্ৰভু, মোৰ শক্তিশালী উদ্ধাৰকৰ্তা; যুদ্ধৰ দিনা
তুমিয়েই মোক ৰক্ষা কৰিলা। ৮ হে যিহোৱা, দুষ্ট লোকৰ বাঞ্ছা পূৰ্ণ
নকৰিবা; তেওঁলোকৰ ষড়যন্ত্ৰ সফল হবলৈ নিদিবা। (চেলা) ৯ যি
সকলে মূৰ উঠাই মোক বেৰি ধৰিছে, তেওঁলোকৰ ওঁঠে যি সকলো
অপকাৰ কৰিলে, সেইবোৰে তেওঁলোকক ঢাকি ধৰক! ১০ তেওঁলোকৰ
ওপৰত জলন্ত আঙঠা পৰক! তেওঁলোকক জুইত পেলোৱা হওঁক!
তেওঁলোক পুনৰায় উঠিব নোৱাৰাকৈ গভীৰ গাতত পেলোৱা হওঁক!
১১ নিন্দকবোৰক পৃথিৱীত থিৰে থাকিবলৈ নিদিবা; অত্যাচাৰীজনক
নিপাত কৰিবলৈ দুষ্ট লোকে চিকাৰ কৰিব! ১২ মই জানো, যিহোৱাই
দৰিদ্ৰৰ পক্ষে বিচাৰ নিষ্পত্তি কৰিব, অভাৱীসকলৰ কাৰণে ন্যায় বিচাৰ
কৰিব। ১৩ ধাৰ্মিকসকলে অৱশ্যে তোমাৰ নামৰ ধন্যবাদ কৰিব;
ভক্তসকলে তোমাৰ সাক্ষাতে বসতি কৰিব।

১৪১ হে যিহোৱা, মই তোমাক মাতিছো; তুমি শীঘ্ৰেই মোৰ ওচৰলৈ
আহাঁ। মই প্ৰাৰ্থনা কৰা কালত তুমি মোৰ স্বৰলৈ কাণ পাতা। ২
মোৰ প্ৰাৰ্থনা তোমাৰ আগত সুগন্ধি ধূপৰ দৰে হওঁক, মই ওপৰলৈ
তোলা মোৰ হাত সন্ধিয়া উৎসৰ্গ কৰা বলিদানৰ দৰে হওঁক। ৩ হে
যিহোৱা, মোৰ মুখৰ আগত তুমি ৰখীয়া ৰাখা, মোৰ ওঁঠৰ দুৱাৰত
ৰখীয়া ৰাখা। ৪ কোনো মন্দ বিষয়ত মোৰ মন প্ৰবৃত্ত নকৰিবা, মই
যেন অধাৰ্মিকবোৰৰ সৈতে দুষ্টতাৰ কাৰ্য নকৰোঁ; তেওঁলোকৰ সুস্বাদু
আহাৰ যেন মই গ্ৰহণ নকৰোঁ। ৫ ধাৰ্মিক লোকে মোক প্ৰহাৰ কৰক,
সেয়া মোৰ বাবে এক দয়া হ'ব; তেওঁ মোক অনুযোগ কৰক, সেয়া
মোৰ মূৰত দিয়া তেলৰ নিচিনা হ'ব; মোৰ মূৰে তাক গ্ৰহণ কৰিবলৈ
অগ্ৰাহ্য নকৰক। কিন্তু মোৰ প্ৰাৰ্থনা সকলো সময়তে দুষ্টবোৰৰ কাৰ্যৰ
বিৰুদ্ধে থাকিব। ৬ তেওঁলোকৰ শাসক সকলক ওখ পৰ্বতৰ ওপৰৰ
পৰা তললৈ পেলোৱা হ'ব, তেতিয়া তেওঁলোকে মোৰ বাক্যলৈ কাণ
দিব, কিয়নো সেয়ে মধুৰ। ৭ মানুহে হাল বাই যেনেকৈ মাটি ভাঙে,
তেনেকৈ আমাৰ অস্থিবোৰ চিয়োলৰ মুখত সিচঁৰিত হৈছে। **(Sheol
h7585)** ৮ কিন্তু হে মোৰ ঈশ্বৰ যিহোৱা, মোৰ চকু তোমাৰ ফালেই
আছে; মই তোমাতেই আশ্ৰয় লৈছোঁ, মোৰ প্ৰাণ মৃত্যুৰ হাতত এৰি
নিদিবা। ৯ তেওঁলোকে মোৰ কাৰণে যি জাল পাতিছে, তাৰ পৰা মোক
ৰক্ষা কৰা, অধাৰ্মিকবোৰৰ ফান্দৰ পৰা মোক ৰক্ষা কৰা। ১০ দুষ্ট
লোক তেওঁলোকৰ নিজৰ জালত নিজেই পৰক, আৰু মই সেই সময়ত
অকলেই ৰক্ষা পাম।

১৪২ মই চিঞঁৰি যিহোৱাৰ ওচৰত ক্ৰন্দন কৰিলোঁ, মই নিজ
স্বৰেৰে যিহোৱাৰ আগত মিনতি কৰিলোঁ। ২ মই মোৰ দুখৰ কথা
তেওঁৰ আগত ভাঙি ক'লো, তেওঁৰ আগত মোৰ কষ্টৰ কথা জনালোঁ।
৩ মোৰ আত্মা যেতিয়া অন্তৰত ব্যাকুল হয়, তেতিয়া তুমি মোৰ পথ
জানা; মই অহা-যোৱা কৰা পথত লোকবোৰে মোৰ বাবে গোপনে
ফান্দ পাতিলে; ৪ মোৰ সোঁ ফালে দৃষ্টি কৰি চোৱা, মোৰ খবৰ লওঁতা
কোনো নাই; মোৰ বাবে আশ্ৰয় স্থান নাই, মোৰ বাবে কোনেও চিন্তা
নকৰে। ৫ হে যিহোৱা, মই তোমাৰ ওচৰত ক্ৰন্দনৰে কৈছো, "তুমিয়েই

মোৰ আশ্ৰয়, জীৱিত লোকৰ দেশত তুমিয়েই মোৰ অধিকাৰ।” ৬
তুমি মোৰ কাকুতিলৈ মনোযোগ দিয়া, কিয়নো মই অতি অসহায়
অৱস্থাত পৰিছোঁ; মোৰ তাড়নাকাৰীবোৰৰ হাতৰ পৰা মোক উদ্ধাৰ
কৰা, কাৰণ তেওঁলোক মোতকৈ শক্তিশালী। ৭ কাৰাগাৰৰ পৰা
মোৰ প্ৰাণ মুক্ত কৰা, যেন মই তোমাৰ নামৰ ধন্যবাদ কৰিব পাৰোঁ;
ধাৰ্মিকসকলে মোক চাৰিওফালে ঘেৰি ৰাখিব; কাৰণ তুমি মোলৈ প্ৰচুৰ
মঙ্গল কৰিবা।

**১৪৩** হে যিহোৱা, মোৰ প্ৰাৰ্থনা শুনা, মোৰ কাকুতিলৈ কাণ পাতা;
তোমাৰ বিশ্বস্ততা আৰু ধাৰ্মিকতাত মোক উত্তৰ দিয়া। ২ তোমাৰ
দাসক বিচাৰলৈ নিনিবা; কিয়নো তোমাৰ দৃষ্টিত কোনো জীৱিত লোক
ধাৰ্মিক নহয়। ৩ শত্ৰুৱে মোক পাছে পাছে খেদি আহিল, তেওঁ মোক
মাটিত পেলাই মোৰ জীৱন ছিন্ন-ভিন্ন কৰিলে, দীৰ্ঘ দিনৰ আগেয়ে মৃত
হোৱা লোকৰ দৰে তেওঁ মোক অন্ধকাৰময় ঠাইত বসতি কৰালে। ৪
সেইবাবে মোৰ আত্মা অন্তৰত ব্যাকুল হৈছে; মোৰ অন্তৰত মন অসাৰ
হৈ পৰিছে। ৫ মই পূৰ্বকালৰ দিনৰ কথা মনত পেলাও, মই তোমাৰ
সকলো কাৰ্যৰ বিষয়ে চিন্তা কৰোঁ, তোমাৰ হাতৰ কাৰ্যবোৰ ধ্যান
কৰোঁ। ৬ মই তোমাৰ ফালে মোৰ হাত মেলি আগবঢ়াই দিছোঁ; শুকান
ভূমিৰ নিচিনাকৈ মোৰ প্ৰাণ তোমাৰ কাৰণে তৃষ্ণাতুৰ হৈছে। (চেলা)
৭ হে যিহোৱা, তুমি শীঘ্ৰে মোক উত্তৰ দিয়া, কাৰণ মোৰ আত্মাৰ
উৎসাহ নোহোৱা হৈছে; মোৰ পৰা তোমাৰ মুখ লুকুৱাই নাৰাখিবা, মই
গাতলৈ নামি যোৱাবোৰৰ নিচিনা হৈ পৰিম। ৮ ৰাতিপুৱাতে মোক
তোমাৰ সুস্থিৰ প্ৰেমৰ বচন শুনুউৱা, কাৰণ মই তোমাৰ ওপৰতে
ভাৰসা কৰিছোঁ; তুমি মোক মই চলিবলগীয়া পথ শিকোঁৱা, কিয়নো
মই মোৰ প্ৰাণ তোমালৈ তুলি ধৰিছোঁ। ৯ হে যিহোৱা, মোৰ শত্ৰুবোৰৰ
পৰা তুমি মোক উদ্ধাৰ কৰা; মই লুকাবৰ কাৰণে তোমাৰ ওচৰলৈ
পলাই আহিছোঁ; ১০ তোমাৰ ইচ্ছাৰ কাৰ্য সিদ্ধ কৰিবলৈ তুমি শিকোৱা,
কিয়নো তুমিয়েই মোৰ ঈশ্বৰ; তোমাৰ মংগলময় আত্মাৰে মোক সমান
পথত চলাই নিয়া। ১১ হে যিহোৱা, তোমাৰ নামৰ কাৰণে মোক
পুনৰায় সঞ্জীৱিত কৰা; তোমাৰ ধাৰ্মিকতাৰে সংকটৰ পৰা তুমি মোক

উদ্ধাৰ কৰা। ১২ তোমাৰ সুস্থিৰ প্ৰেমেৰে মোৰ শত্ৰুবোৰক উচ্ছন্ন কৰা;
মোৰ সকলো বিপক্ষবোৰক তুমি ধ্বংস কৰা, কিয়নো মই তোমাৰ
দাস।

**১৪৪** যিহোৱাৰ প্ৰশংসা হওঁক; তেওঁ মোৰ আশ্ৰয়-শিলা; তেওঁ মোৰ
হাতক যুদ্ধ কৰিবলৈ শিকায়, মোৰ আঙুলিবোৰকো ৰণ কৰিবলৈ
শিকায়। ২ তেওঁ মোৰ চিৰস্থায়ী প্ৰেম আৰু মোৰ কোঁঠ, মোৰ উচ্চ
দুৰ্গ আৰু মোৰ উদ্ধাৰকৰ্ত্তা; তেওঁ মোৰ ঢাল আৰু মই তেওঁতে আশ্ৰয়
লওঁ। তেৰেঁই জাতি সমূহক মোৰ অধীনত আনে। ৩ হে যিহোৱা,
মানুহ নো কি যে তুমি মানুহক গণ্য কৰা? মনুষ্যই বা কি যে তুমি
তেওঁলোকলৈ মনোযোগ দিয়া? ৪ মনুষ্য নিঃশ্বাস মাথোন; তেওঁৰ
আয়ুস গুচি যোৱা ছাঁৰ নিচিনা। ৫ হে যিহোৱা, তোমাৰ আকাশ-মণ্ডলক
দোঁৱাই নত কৰি তুমি নামি আহাঁ; পৰ্বতবোৰক স্পৰ্শ কৰা যাতে
সেইবোৰৰ পৰা ধোঁৱা ওলাব। ৬ তুমি বজ্ৰপাত পেলাই শত্ৰুবোৰক
বিছিন্ন কৰা; তোমাৰ কাঁড় মাৰি তেওঁলোকক বিহ্বল কৰি তোলা। ৭
তুমি ওপৰৰ পৰা তোমাৰ হাত মেলি দিয়া; মোক মুক্ত কৰা, মহাজলৰ
পৰা মোক ৰক্ষা কৰা; সেই অন্য জাতিৰ হাতৰ পৰা মোক ৰক্ষা
কৰা। ৮ তেওঁলোকৰ মুখে মিছা কথা কয়, তেওঁলোকৰ সোঁ হাতে
বিশ্বাসঘাতকৰ কাৰ্য কৰে। ৯ হে ঈশ্বৰ, মই তোমাৰ উদ্দেশ্যে নতুন
গীত গাম; দহ-তাৰযুক্ত নেবল বাদ্যৰে মই তোমাৰ প্ৰশংসাৰ গান
কৰিম। ১০ তুমিয়েই ৰজাসকলক জয়দান কৰা; তুমিয়েই নিজ দায়ুদক
উদ্ধাৰ কৰিলা। ১১ নিষ্ঠুৰ তৰোৱালবোৰৰ পৰা মোক ৰক্ষা কৰা আৰু
বিদেশীবিলাকৰ হাতৰ পৰা মোক উদ্ধাৰ কৰা; তেওঁলোকৰ মুখে মিছা
কথা কয়, তেওঁলোকৰ সোঁ হাতে বিশ্বাসঘাতকতাৰ কাৰ্য কৰে। ১২
আমাৰ পুত্ৰবোৰ যেন গছ পুলিৰ নিচিনাকৈ যৌৱনত বৃদ্ধি পায়, আমাৰ
কন্যাবোৰ যেন ৰাজঅট্টালিকাৰ গাঁথনিৰ খোদিত কৰা চুকৰ স্তম্ভৰ
নিচিনা হয়; ১৩ আমাৰ ভঁড়ালবোৰ যেন সকলো ধৰণৰ উৎপাদনৰ
খাদ্যবস্তুৰে পৰিপূৰ্ণ থাকে; আমাৰ মেৰ-ছাগবোৰে যেন পথাৰৰ মাজত
হাজাৰে হাজাৰে, লাখে লাখে পোৱালি জগায়; ১৪ আমাৰ বলধবোৰে
যেন গধুৰ বোজা বহন কৰিব পাৰে; দেৱালবোৰৰ যেন ভগ্ন দশা নহয়,

কোনো যেন বন্দী নহয়; আলিৰ চকবোৰত যেন দুখৰ ক্ৰন্দন শুনা
নাযায়। ১৫ ধন্য সেই জাতি, যাৰ এনে আশীৰ্বাদপূৰ্ণ অৱস্থা হয়; ধন্য
সেই জাতি, যিহোৱা যাৰ ঈশ্বৰ।
**১৪৫** হে মোৰ ঈশ্বৰ, হে মোৰ ৰজা, মই তোমাৰ গৌৰৱ কীৰ্ত্তন
কৰিম; যুগে যুগে অনন্ত কাললৈকে তোমাৰ নামৰ ধন্যবাদ কৰিম।
২ মই প্ৰতিদিনে তোমাৰ ধন্যবাদ কৰিম, আৰু যুগে যুগে অনন্ত
কাললৈকে তোমাৰ নামৰ প্ৰশংসা কৰিম। ৩ যিহোৱা মহান, আৰু অতি
প্ৰশংসাৰ যোগ্য; তেওঁৰ মহিমা অগম্য। ৪ এক বংশৰ লোকে পাছৰ
বংশৰ লোকৰ ওচৰত তোমাৰ কাৰ্যবোৰৰ শলাগ ল'ব, তোমাৰ মহৎ
কাৰ্যবোৰ প্ৰকাশ কৰিব। ৫ মই তোমাৰ মহিমাৰ গৌৰৱযুক্ত প্ৰতাপ
আৰু তোমাৰ আচৰিত কাৰ্যবোৰৰ বিষয়ে ধ্যান কৰিম। ৬ লোকসকলে
তোমাৰ ভয়ানক পৰাক্ৰমী কাৰ্যবোৰৰ কথা ক'ব; আৰু মই তোমাৰ
মহত্বৰ কথা ঘোষণা কৰিম। ৭ তেওঁলোকে তোমাৰ প্ৰচুৰ মঙ্গলভাৱৰ
যশস্যা প্ৰচাৰ কৰিব, তোমাৰ ধাৰ্মিকতাৰ বিষয়ে উচ্চস্বৰে গান কৰিব।
৮ যিহোৱা কৃপাময় আৰু দয়াৰে পৰিপূৰ্ণ, ক্ৰোধত ধীৰ আৰু দয়াত
মহান। ৯ যিহোৱা সকলোৰে বাবে মঙ্গলময়; তেওঁৰ কৰুণা তেওঁৰ সৃষ্ট
সকলো বস্তুৰ ওপৰত আছে। ১০ হে যিহোৱা, তোমাৰ সমুদায় সৃষ্টিয়ে
তোমাৰ ধন্যবাদ কৰিব; তোমাৰ ভক্তসকলে তোমাৰ ধন্যবাদ কৰিব।
১১ তেওঁলোকে তোমাৰ ৰাজ্যৰ গৌৰৱ বৰ্ণনা কৰিব আৰু তোমাৰ মহৎ
কাৰ্যবোৰৰ বিষয়ে ক'ব, ১২ যাতে সকলো মানুহে তোমাৰ পৰাক্ৰমী
কাৰ্য আৰু তোমাৰ ৰাজ্যৰ গৌৰৱপূৰ্ণ কথাবোৰ জানিব পাৰে। ১৩
তোমাৰ ৰাজ্য অনন্তকলীয়া ৰাজ্য; তোমাৰ ৰাজশাসন সৰ্ব্বপুৰুষলৈকে
স্থায়ী। ১৪ যিহোৱাই পৰি যাব খোজা সকলক ধৰি ৰাখে; অৱনত
সকলক তেওঁ তুলি ধৰে। ১৫ সকলোৰে চকুৱে আশাৰে তোমালৈ
অপেক্ষা কৰি থাকে; তুমিয়েই তেওঁলোকক উচিত সময়ত আহাৰ
দিয়া; ১৬ তুমি তোমাৰ হাত মেলা আৰু সকলো জীৱকুলৰ বাঞ্ছা পূৰ্ণ
কৰি কৰা। ১৭ যিহোৱা তেওঁৰ সকলো পথতে ধাৰ্মিক আৰু সমুদায়
কাৰ্যতে দয়াৱান। ১৮ যিসকলে যিহোৱাৰ আগত প্ৰাৰ্থনা কৰে, সত্যেৰে
তেওঁৰ আগত প্ৰাৰ্থনা কৰে, যিহোৱা সেই সকলো লোকৰে ওচৰ। ১৯

যিসকলে তেওঁক ভয় কৰে, তেওঁ সেই সকলো লোকৰ মনৰ ইচ্ছা
পূৰ্ণ কৰে। তেওঁ তেওঁলোকৰ কাতৰোক্তি শুনি তেওঁলোকক ৰক্ষা
কৰে। ২০ যিসকলে যিহোৱাক প্ৰেম কৰে, তেওঁ তেওঁলোক সকলোকে
ৰক্ষা কৰে, কিন্তু সকলো দুষ্ট লোকক হ'লে তেওঁ বিনষ্ট কৰিব। ২১
মোৰ মুখে যিহোৱাৰ প্ৰশংসা প্ৰচাৰ কৰিব; সকলো প্ৰাণীয়ে যুগে যুগে
অনন্তকাললৈকে তেওঁৰ পবিত্ৰ নামৰ ধন্যবাদ কৰিব।

**১৪৬** তোমালোকে যিহোৱাৰ প্ৰশংসা কৰা। হে মোৰ মন, যিহোৱাৰ
প্ৰশংসা কৰা। ২ মোৰ আয়ুস থাকেমানে মই যিহোৱাৰ প্ৰশংসা কৰিম,
জীয়াই থাকোঁমানে মোৰ ঈশ্বৰৰ উদ্দেশ্যে প্ৰশংসাৰ গান কৰিম। ৩
তোমালোকে কোনো অধিপতি বা কোনো মানুহৰ সন্তানৰ ওপৰত
ভাৰসা নকৰিবা; তেওঁলোকে সহায় কৰিব নোৱাৰে। ৪ তেওঁলোকৰ
উশাহ বাহিৰ হৈ গ'লে, তেওঁলোক পুনৰায় মাটিলৈ ঘূৰি যায়; সেই
দিনাই তেওঁলোকৰ সকলো পৰিকল্পনা শেষ হৈ যায়। ৫ যাকোবৰ
ঈশ্বৰ যাৰ সহায় সেই জন ধন্য; যাৰ আশাভূমি যিহোৱা তেওঁৰ
ঈশ্বৰ। ৬ তেৰেঁই আকাশ-মণ্ডল আৰু পৃথিৱী, সমুদ্ৰ আৰু তাত থকা
সকলোৰে সৃষ্টিকৰ্তা, তেওঁ অনন্তকালে বিশ্বাসযোগ্য। ৭ তেওঁ উপদ্ৰৱ
পোৱাসকলৰ পক্ষে ন্যায় বিচাৰ কৰে, ক্ষুধাতুৰবোৰক আহাৰ দান
কৰে; যিহোৱাই বন্দীবোৰক মুক্ত কৰে; ৮ যিহোৱাই অন্ধবোৰৰ চকু
মুকলি কৰে, নত অৱস্থাত থকাসকলক যিহোৱাই তুলি ধৰে; যিহোৱাই
ধাৰ্মিক লোকক প্ৰেম কৰে; ৯ যিহোৱাই বিদেশীবোৰক ৰক্ষা কৰে,
তেওঁ মাউৰা আৰু বিধৱাসকলক ধৰি ৰাখে, কিন্তু দুষ্টবোৰৰ পথ তেওঁ
বিঘিনিযুক্ত কৰে। ১০ যিহোৱাই অনন্ত কাল ৰাজত্ব কৰিব; হে চিয়োন,
পুৰুষানুক্ৰমে তোমাৰ ঈশ্বৰে ৰাজত্ব কৰিব। তোমালোকে যিহোৱাৰ
প্ৰশংসা কৰা।

**১৪৭** তোমালোকে যিহোৱাৰ প্ৰশংসা কৰা; কিয়নো আমাৰ ঈশ্বৰৰ
উদ্দেশ্যে প্ৰশংসাৰ গীত গোৱা কেনে উত্তম! কাৰণ সেয়ে সন্তোষজনক,
প্ৰশংসাৰ উপযুক্ত। ২ যিহোৱাই যিৰূচালেমক পুনৰায় নিৰ্ম্মাণ কৰে;
সিঁচৰতি হৈ পৰা ইস্ৰায়েলীয়াসকলক তেওঁ গোটাই একত্ৰ কৰে। ৩
তেওঁ ভগ্ন চিত্তীয়া লোকক সুস্থ কৰে, তেওঁ তেওঁলোকৰ ঘাঁবোৰ বান্ধে।

৪ তেওঁ তৰাবোৰ গণনা কৰে; তেওঁ সেইবোৰৰ প্ৰত্যেককে নাম ধৰি
ধৰি মাতে। ৫ আমাৰ প্ৰভু মহান; তেওঁৰ পৰাক্ৰম প্ৰচুৰ; তেওঁৰ জ্ঞান-
বুদ্ধিৰ সীমা নাই। ৬ যিহোৱাই নম্ৰ লোকক ধৰি ৰাখে; দুষ্টবোৰক
মাটিলৈ পেলাই দিয়ে। ৭ তোমালোকে যিহোৱাৰ উদ্দেশ্যে ধন্যবাদৰ
গীত গোৱা; বীণাৰে সৈতে আমাৰ ঈশ্বৰৰ প্ৰশংসাৰ গীত গোৱা। ৮
যি জনাই আকাশমণ্ডল মেঘেৰে ঢাকে, যি জনাই পৃথিৱীলৈ বৰষুণৰ
ব্যৱস্থা কৰে, যি জনাই পৰ্ব্বতবোৰৰ ওপৰত ঘাঁহ গজায়, ৯ পশু আৰু
চিঁ চিঁয়াই থকা কাউৰী পোৱালিবোৰে মাতিলে তেওঁ আহাৰ দিয়ে। ১০
ঘোঁৰাৰ শক্তিত তেওঁ সন্তোষ নাপায়, মানুহৰ ভৰিৰ শক্তিতো তেওঁ
সন্তুষ্ট নহয়; ১১ কিন্তু যিসকলে যিহোৱাক ভয় কৰে, আৰু তেওঁৰ সুস্থিৰ
প্ৰেমত আশা ৰাখে, তেওঁলোকক লৈয়েই যিহোৱা সন্তুষ্ট হয়। ১২
হে যিৰূচালেম, যিহোৱাৰ প্ৰশংসা কৰা; হে চিয়োন, তোমাৰ ঈশ্বৰৰ
প্ৰশংসা কৰা। ১৩ কিয়নো তেওঁ তোমাৰ দুৱাৰৰ ডাংবোৰ দৃঢ় কৰিলে,
তোমাৰ মাজত বাস কৰা তোমাৰ সন্তান সকলক আশীৰ্ব্বাদ দিলে।
১৪ তোমাৰ সীমাৰ ভিতৰত তেৱেঁই শান্তি ৰাখে; তোমাক উত্তম ঘেঁহুৰে
পৰিতৃপ্ত কৰে। ১৫ তেওঁ পৃথিৱীলৈ নিজৰ আজ্ঞা পঠায়; তেওঁৰ বাক্য
ততালিকে ধাবমান হয়। ১৬ তেওঁ মেৰ-ছাগৰ নোমৰ সদৃশ তুষাৰ
দিয়ে, ছাঁইৰ দৰে নিয়ৰ সিঁচি দিয়ে। ১৭ তেওঁ টুকুৰা টুকুৰ কৰি শিল
বৰষায়; তেওঁৰ শীতৰ সন্মুখত কোন থাকিব পাৰে? ১৮ তেওঁ নিজৰ
বাক্য পঠাই সেই সকলো দ্ৰৱীভূত কৰে; তেওঁ নিজৰ বতাহ বলালে
পানী বৈ যায়। ১৯ তেওঁ যাকোবক নিজৰ বাক্য ঘোষণা কৰিলে; আৰু
ইস্ৰায়েলৰ ওচৰত নিজৰ বিধি আৰু শাসন প্ৰণালীবোৰ জনালে। ২০
অন্য কোনো জাতিৰ কাৰণে তেওঁ এইৰূপ ব্যৱহাৰ কৰা নাই; তেওঁৰ
শাসন প্ৰণালীবোৰ তেওঁলোকে নাজানে। তোমালোকে যিহোৱাৰ
প্ৰশংসা কৰা।

**১৪৮** তোমালোকে যিহোৱাৰ প্ৰশংসা কৰা। স্বৰ্গৰ পৰা যিহোৱাৰ
প্ৰশংসা কৰা; উচ্চ স্থানত তেওঁৰ প্ৰশংসা কৰা। ২ হে যিহোৱাৰ সকলো
দূত, তেওঁৰ প্ৰশংসা কৰা; হে যিহোৱাৰ সকলো বাহিনী, তেওঁৰ প্ৰশংসা
কৰা! ৩ হে সূৰ্য আৰু চন্দ্ৰ, তেওঁৰ প্ৰশংসা কৰা; হে দীপ্তিময় সকলো

তৰা, তেওঁৰ প্ৰশংসা কৰা! ৪ হে স্বৰ্গৰ স্বৰ্গ, তেওঁৰ প্ৰশংসা কৰা! হে
আকাশ-মণ্ডলৰ উৰ্দ্ধস্থানৰ জল সমূহ, তেওঁৰ প্ৰশংসা কৰা! ৫ সেইবোৰ
সকলোৱে যিহোৱাৰ নামৰ প্ৰশংসা কৰক; কিয়নো তেওঁ আজ্ঞা দিলে
আৰু এইবোৰৰ সৃষ্টি হ'ল। ৬ তেওঁ চিৰকালৰ কাৰণে সেইবোৰক
সঠিক ঠাইত স্থাপন কৰিলে; তেওঁ এটা বিধি দিলে, কোনোৱে তাক
উলঙ্ঘন কৰিব নোৱাৰিব। ৭ হে সাগৰৰ প্ৰকাণ্ড জলচৰবোৰ আৰু
মহাসাগৰৰ গভীৰ অধোভাগ, পৃথিৱীৰ পৰা তোমালোকে যিহোৱাৰ
প্ৰশংসা কৰা! ৮ হে জুই আৰু শিলাবৃষ্টি, তুষাৰ আৰু কুঁৱলী, আৰু
যিহোৱাৰ আজ্ঞা পালন কৰা প্ৰবল ধুমুহা, তেওঁৰ প্ৰশংসা কৰা! ৯ হে
সকলো পৰ্বত আৰু পাহাৰবোৰ, আৰু ফলৱতী গছ আৰু এৰচ গছবোৰ,
তেওঁৰ প্ৰশংসা কৰা! ১০ হে বনৰীয়া জন্তু আৰু ঘৰচীয়া পশুবোৰ, আৰু
বগাই ফুৰা উৰগ আৰু ডেউকা লগা পক্ষীসমূহ, তেওঁৰ প্ৰশংসা কৰা!
১১ হে পৃথিৱীৰ ৰজাসকল আৰু সমুদায় জাতি, অধিপতি আৰু পৃথিৱীৰ
শাসকগণ, তেওঁৰ প্ৰশংসা কৰা! ১২ হে যুৱক আৰু যুৱতীসকল, বৃদ্ধ
আৰু শিশুসকল, তেওঁৰ প্ৰশংসা কৰা! ১৩ এই সকলোবোৰে যিহোৱাৰ
প্ৰশংসা কৰক; কিয়নো কেৱল তেওঁৰেই নাম মহান; তেওঁৰ গৌৰৱ
পৃথিৱী আৰু আকাশ-মণ্ডলৰ ওপৰলৈকে বিস্তাৰিত। ১৪ তেওঁ নিজৰ
লোকসকলৰ কাৰণে এটি শিং উত্তোলন কৰিলে; সেয়া তেওঁৰ সকলো
ভক্তৰ বাবে প্ৰশংসা, সেয়া তেওঁৰ ওচৰত থকা ইস্ৰায়েল জাতিৰ বাবে
প্ৰশংসা। তোমালোকে যিহোৱাৰ প্ৰশংসা কৰা।

**১৪৯** তোমালোকে যিহোৱাৰ প্ৰশংসা কৰা। যিহোৱাৰ উদ্দেশ্যে এটি
নতুন গীত গোৱা, ভক্তসকলৰ সমাজত তেওঁৰ প্ৰশংসাৰ গান কৰা, ২
ইস্ৰায়েলে নিজৰ সৃষ্টিকৰ্ত্তাক লৈ আনন্দ কৰক; চিয়োনৰ সন্তান সকলে
নিজৰ ৰজাসকলক লৈ আনন্দ কৰক। ৩ তেওঁলোকে নাচি নাচি তেওঁৰ
নামৰ প্ৰশংসা কৰক, খঞ্জৰী আৰু বীণা লৈ তেওঁৰ উদ্দেশ্যে প্ৰশংসাৰ
গান কৰক। ৪ কিয়নো যিহোৱাই নিজৰ লোকসকলক লৈ আনন্দ
পায়; তেওঁ নম্ৰসকলক উদ্ধাৰ কৰি সন্মানিত কৰে। ৫ ভক্তসকলে
বিজয়ত উল্লাসিত হওক; তেওঁলোকে নিজ নিজ শয্যাত আনন্দ গান
কৰক। ৬ তেওঁলোকৰ কন্ঠত ঈশ্বৰৰ উচ্চ প্ৰশংসা থাকক, তেওঁলোকৰ

হাতত দুধাৰীয়া তৰোৱাল থাকক; ৭ যাতে তেওঁলোকে জাতিবোৰৰ
ওপৰত প্ৰতিশোধ লব পাৰে, আৰু লোক সমূহক শাস্তি দিব পাৰে; ৮
যেন তেওঁলোকৰ ৰজাসকলক শিকলিৰে বান্ধিব পাৰে, তেওঁলোকৰ
মান্যৱন্ত লোকক লোহাৰ বেৰিৰে বান্ধিব পাৰে; ৯ যেন তেওঁলোকৰ
বিৰুদ্ধে লিখিত বিচাৰ নিষ্পত্তি কৰিব পাৰে, এয়েই তেওঁৰ সকলো
ভক্তৰ গৌৰব। তোমালোকে যিহোৱাৰ প্ৰশংসা কৰা।

**১৫০** তোমালোকে যিহোৱাৰ প্ৰশংসা কৰা। ঈশ্বৰৰ পবিত্ৰ স্থানত
তেওঁৰ প্ৰশংসা কৰা; তেওঁৰ শক্তিৰে গঢ়া আকাশমণ্ডলত তেওঁৰ
প্ৰশংসা কৰা। ২ তেওঁৰ মহৎ কাৰ্যৰ নিমিত্তে তেওঁৰ প্ৰশংসা কৰা,
তেওঁৰ প্ৰচুৰ মহিমাৰ কাৰণে তেওঁৰ প্ৰশংসা কৰা। ৩ শিঙা-বাদ্যেৰে
তেওঁৰ প্ৰশংসা কৰা; নেবল আৰু বীণাৰে তেওঁৰ প্ৰশংসা কৰা। ৪
খঞ্জৰী লৈ নাচি নাচি তেওঁৰ প্ৰশংসা কৰা; তাঁৰযুক্ত বাদ্যযন্ত্ৰ আৰু
বাঁহীৰে তেওঁৰ প্ৰশংসা কৰা। ৫ কৰতালৰ উচ্চ ধ্বনিৰে সৈতে তেওঁৰ
প্ৰশংসা কৰা; কাণ ফাটি যোৱা কৰতালৰ ধ্বনিৰে তেওঁৰ প্ৰশংসা কৰা।
৬ শ্বাসযুক্ত সকলো প্ৰাণীয়েই যিহোৱাৰ প্ৰশংসা কৰক। তোমালোকে
যিহোৱাৰ প্ৰশংসা কৰা।

# প্ৰবচন

১ দায়ূদৰ পুত্ৰ চলোমন, ইস্ৰায়েলৰ ৰজা আছিল। চলোমনৰ নীতিবচন।
২ প্ৰজ্ঞা আৰু শিক্ষা লাভ কৰিবলৈ, সূক্ষ্মদৃষ্টিৰে বাক্য শিকোৱা,
৩ সংশোধন গ্ৰহণ কৰা, তেতিয়া তুমি সত্য, ন্যায়পৰায়ণ, আৰু
যথাৰ্থতাত জীয়াই থাকিব পাৰিবা। ৪ যিসকলক শিক্ষা দিয়া হোৱা নাই,
তেওঁলোকক প্ৰজ্ঞা দান কৰা; আৰু যুৱক সকলক জ্ঞান আৰু বিবেচনা
দিয়া। ৫ জ্ঞানীলোকক শুনিবলৈ দিয়া আৰু তেওঁলোকক শিক্ষাত বৃদ্ধি
হ'বলৈ দিয়া। আৰু তীকষ্ণবুদ্ধি সম্পন্ন লোকক পথপ্ৰদৰ্শন কৰা; ৬
যাতে নীতিবচন আৰু বাণী, জ্ঞানীলোকৰ বাক্য আৰু তেওঁলোকৰ
নিগূঢ়তত্ব বুজিব পাৰে। ৭ যিহোৱালৈ ভয় ৰখাই জ্ঞানৰ আৰম্ভণ,
অজ্ঞানীলোকে প্ৰজ্ঞা আৰু অনুশাসন হেয়জ্ঞান কৰে। ৮ হে মোৰ পুত্ৰ,
তুমি তোমাৰ পিতৃৰ আদেশ শুনা, আৰু তোমাৰ মাতৃৰ শাসন অৱজ্ঞা
নকৰিবা; ৯ তেওঁলোক তোমাৰ মুৰৰ বাবে কৰুণাময় মালাৰ দৰে
হ'ব, আৰু তোমাৰ ডিঙিত ওলমি থকা মালাৰ লকেটৰ দৰে হ'ব। ১০
হে মোৰ পুত্ৰ, পাপীলোকে যদি তোমাক তেওঁলোকৰ পাপ কাৰ্যত
প্ৰলোভিত কৰে, তেওঁলোকক অনুসৰণ নকৰিবা। ১১ তেওঁলোকে যদি
কয়, "আমাৰ লগত আহাঁ, আমি ৰক্তপাত কৰিবলৈ খাপ দি থাকোঁ;
বিনা কাৰণে নিৰ্দ্দোষী লোকক আক্ৰমণ কৰিবলৈ লুকাই থাকোঁহক। ১২
আহাঁ আমি চিয়োলৰ দৰে স্বাস্থ্যৱান লোকসকলক জীয়াই জীয়াই গিলি
পেলাওঁ, আৰু তেওঁলোকক গাতত পৰি থকা লোকৰ দৰে কৰোঁহক।
(Sheol h7585) ১৩ আমি সকলো বিধৰ বহুমুল্য বস্তু বিচাৰিম, আৰু অন্য
লোকৰ পৰা লুট কৰা বস্তুৰে আমাৰ ঘৰবোৰ পৰিপূৰ্ণ কৰিম। ১৪
তোমাৰ লুট কৰা বস্তু আমাৰ সৈতে একেলগ কৰা, আমাৰ সকলোৰে
এখনেই মোনা হ'ব।" ১৫ হে মোৰ পুত্ৰ, তেওঁলোকৰ পথত তুমি নাযাবা;
তেওঁলোকৰ পথত তোমাৰ খোজ নিদিবা। ১৬ তেওঁলোকৰ খোজ
কুকৰ্মৰ ফাললৈ লৰ মাৰে; আৰু তেওঁলোকে ৰক্তপাত কৰিবলৈ খৰধৰ
কৰে। ১৭ যি সময়ত চৰাইয়ে চাই থাকে; সেই সময়ত চৰাই ধৰিবলৈ
জাল পতা বৃথা। ১৮ সেই লোকসকলে নিজকে নিজেই ৰক্তপাত
কৰিবলৈ খাপ দি থাকে; তেওঁলোকে নিজেই নিজৰ বাবে ফাঁন্দ পাতে।

১৯ সেয়ে অন্যায়ভাৱে ধনী হোৱা প্ৰতিজন লোকৰ এনে গতি হয়;
অন্যায়কাৰীয়ে ন্যায়ত থকা লোকসকলৰ জীৱন লয়। ২০ প্ৰজ্ঞাই পথত
চিঞৰি ক্ৰন্দন কৰে, তেওঁ মুকলি ঠাইত উচ্চস্বৰে কথা কয়। ২১
তেওঁ কোলাহলপূৰ্ণ ঘাই পথত ক্ৰন্দন কৰে, নগৰৰ প্ৰৱেশ দুৱাৰত
তেওঁ কয়, ২২ "হে প্ৰজ্ঞা নথকা লোকসকল, কিমান দিন তোমালোকে
নুবুজা কথাবোৰ ভাল পাই থাকিবা? হে নিন্দকসকল কিমান দিন
তোমালোকে নিন্দা কৰি সন্তুষ্ট হবা? আৰু হে অজ্ঞানীসকল কিমান
দিন জ্ঞানক ঘিণ কৰিবা? ২৩ মোৰ অনুযোগলৈ মনোযোগ দিয়া;
মই তোমালোকৰ ওপৰত মোৰ চিন্তাধাৰা বাকি দিম, মই মোৰ কথা
তোমালোকক জানিবলৈ দিম। ২৪ মই মাতিলোঁ, আৰু তোমালোকে
শুনিবলৈ অমান্তি হলা; মই মোৰ হাত মেলিলোঁ, কিন্তু কোনেও মনযোগ
নিদিলা। ২৫ কিন্তু তোমালোকে মোৰ সকলো পৰামৰ্শ উপেক্ষা কৰিলা;
আৰু মোৰ দোষাৰোপলৈ মনোযোগ নিদিলা। ২৬ তোমালোকৰ
দুৰ্যোগৰ সময়ত মই হাঁহিম, আৰু যেতিয়া তোমালোকলৈ সন্ত্ৰাস আহিব,
তেতিয়া মই ঠাট্টা কৰিম। ২৭ যেতিয়া সন্ত্ৰাস ভয়ঙ্কৰ ধুমুহাৰ দৰে
তোমালোকলৈ আহিব, আৰু বা'মাৰলিৰ দৰে তোমালোকৰ ওপৰত
দুৰ্যোগ ঘটিব, যেতিয়া বেদনা আৰু ক্লেশ তোমালোকৰ ওপৰলৈ আহিব,
২৮ তেতিয়া তেওঁলোকে মোৰ ওচৰত প্ৰাৰ্থনা কৰিব, কিন্তু মই উত্তৰ
নিদিম, তেওঁলোকে নিদাৰুণভাবে মোক মাতিব, কিন্তু তেওঁলোকে
মোক বিচাৰি নাপাব; ২৯ কাৰণ তেওঁলোকে জ্ঞানক ঘিণ কৰে, আৰু
যিহোৱাক তেওঁলোকে ভয় কৰিবলৈ ইচ্ছা নকৰে। ৩০ তেওঁলোকে
মোৰ আদেশ অনুসৰণ নকৰে, আৰু তেওঁলোকে মোৰ সকলো শাসন
প্ৰণালী হেয়জ্ঞান কৰে। ৩১ তেওঁলোকে তেওঁলোকৰ পথৰ ফল ভোগ
কৰিব, তেওঁলোকে নিজৰ পৰিকল্পনাৰ ফলেৰে পৰিপূৰ্ণ হ'ব। ৩২
অশিক্ষিত সেই লোকসকল যেতিয়া বিপথে যায়, তেতিয়া তেওঁলোকৰ
মৃত্যু হয়। মূৰ্খৰ নিৰপেক্ষতাই তেওঁলোকক ধ্বংস কৰিব। ৩৩ কিন্তু
যি জনে মোৰ কথা শুনে, তেওঁ নিৰাপদে থাকিব, আৰু দুৰ্যোগৰ ভয়
নোহোৱাকৈ সুৰক্ষিত হৈ জিৰণী ল'ব।"

২ হে মোৰ পুত্ৰ তুমি যদি মোৰ কথা গ্ৰহণ কৰা, আৰু মোৰ আজ্ঞাবোৰ
তোমাৰ সৈতে সংৰক্ষিত কৰি ৰাখা, ২ প্ৰজ্ঞাৰ কথা শুনা, আৰু বুজিব
পৰা শক্তিলৈ তোমাৰ হৃদয় আকৃষ্ট হব। ৩ তুমি যদি বুজিবৰ বাবে
কান্দা; আৰু ইয়াৰ বাবে উচ্চ স্বৰে ৰিঙিওৱা, ৪ ৰূপ বিচৰা দৰে যদি
তুমি ইয়াক বিচাৰা, আৰু গুপ্ত ধন বিচৰা দৰে বুজিব পৰা শক্তি বিচাৰা;
৫ তেতিয়াহে যিহোৱাৰ প্ৰতি থকা ভয় তুমি বুজিব পাৰিবা, আৰু তুমি
ঈশ্বৰৰ জ্ঞান বিচাৰি পাবা। ৬ কাৰণ যিহোৱাইহে প্ৰজ্ঞা দিয়ে, তেওঁৰে
মুখৰ পৰা জ্ঞান আৰু বিবেচনা শক্তি ওলায়। ৭ যিসকলে তেওঁক সন্তুষ্ট
কৰে তেওঁলোকৰ বাবে তেওঁ নিৰ্ভৰযোগ্য প্ৰজ্ঞা সংগ্ৰহ কৰে, যি সকলে
সত্যতাত চলে তেওঁলোকৰ বাবে তেওঁ ঢালস্বৰূপ। ৮ তেওঁ ন্যায়ৰ
পথক প্ৰতিৰক্ষা কৰে, আৰু যিসকল তেওঁৰ প্ৰতি বিশ্বাসী, তেওঁলোকৰ
বাবে সেই পথ সংৰক্ষিত কৰি ৰাখে। ৯ তেতিয়া তুমি ধাৰ্মিকতা, ন্যায়
বিচাৰ, আৰু স্বাভাৱিক ন্যায় আৰু সকলো ভাল পথ বুজিব পাৰিবা। ১০
কাৰণ প্ৰজ্ঞা তোমাৰ হৃদয়ত প্ৰবেশ কৰিব, আৰু জ্ঞান তোমাৰ প্ৰাণৰ
বাবে সন্তুষ্ট জনক হ'ব। ১১ সতৰ্কতাই তোমাৰ ওপৰত দৃষ্টি ৰাখিব,
বিচাৰ বুদ্ধিয়ে তোমাক পহৰা দিব, ১২ এইবোৰে পাপকাৰ্যৰ পৰা
আৰু যিসকলে বিপথগামী কথা কয়, তাৰ পৰা তোমালোকক উদ্ধাৰ
কৰিব ১৩ তেওঁলোকে সত্যৰ পথ পৰিহাৰ কৰে। আৰু আন্ধাৰ পথত
চলে। ১৪ যেতিয়া তেওঁলোকে পাপ কৰ্ম কৰে তেতিয়া তেওঁলোকে
আনন্দ কৰে, আৰু দুৰ্নীতি পৰায়ণ পাপত তেওঁলোকে উল্লাস কৰে,
১৫ তেওঁলোকে কুটিল পথ অনুসৰণ কৰে, তেওঁলোকে প্ৰৱঞ্চনাৰ
দ্বাৰাই তেওঁলোকৰ গতি পথ গোপন কৰে। ১৬ দুঃসাহসিক কাৰ্যলৈ
দৃষ্টি কৰা, খুচামোদ কথা কোৱা আৰু ব্যভিচাৰী মহিলাৰ পৰা প্ৰজ্ঞা
আৰু সতৰ্কতাই ৰক্ষা কৰে। ১৭ তেওঁ যৌৱন কালৰ লগৰীক ত্যাগ
কৰে আৰু তেওঁ তেওঁৰ ঈশ্বৰৰ গুৰুত্বপূৰ্ণ প্ৰতিশ্ৰুতি পাহৰে। ১৮
তেওঁৰ ঘৰ মৃত্যুলৈ আগুৱাই, আৰু তেওঁৰ পথে মৈদামত থকাসকলৰ
ওচৰলৈ তোমাক লৈ যাব। ১৯ যিসকল লোক তেওঁৰ ওচৰলৈ গৈছে,
তেওঁলোক পুনৰ ঘূৰি নাহিব, আৰু তেওঁলোকে জীৱনৰ পথ বিচাৰি
নাপাব। ২০ সেয়ে তুমি সৎলোকৰ পথত চলিবা, আৰু ন্যায়কাৰ্য কৰা

লোকসকলৰ পথ অনুসৰণ কৰা। ২১ যিসকল লোকে সৎ কাৰ্য কৰে,
তেওঁলোকে দেশত ঘৰ সাজে, আৰু যিসকল লোক সিদ্ধ, তেওঁলোক
অৱশিষ্ট থাকিব। ২২ কিন্তু দুষ্টসকলক দেশৰ পৰা উচ্ছন্ন কৰা হ'ব,
আৰু অবিশ্বাসী লোকক দেশৰ পৰা উচ্ছন্ন কৰা হৈ যাব।

৩ হে মোৰ পুত্ৰ, মোৰ আদেশবোৰ নাপাহৰিবা, আৰু তোমাৰ হৃদয়ত
মোৰ শিক্ষাবোৰ পালন কৰিবা। ২ কাৰণ এইবোৰৰ দ্বাৰাই তোমাৰ
জীৱনৰ আয়ুস আৰু বছৰবোৰ বৃদ্ধি পাব, আৰু জীৱনত শান্তি লাভ
কৰিবা। ৩ বিশ্বাসযোগ্য আৰু নিৰ্ভৰযোগ্য গুৰুত্বপূৰ্ণ প্ৰতিশ্ৰুতিয়ে
তোমাক কেতিয়াও ত্যাগ নকৰক; দুয়োকো তুমি ডিঙিত বান্ধি ৰাখিবা,
আৰু তোমাৰ হৃদয় ফলিত সেইবোৰ লিখি থ'বা। ৪ তেতিয়া তুমি
ঈশ্বৰ আৰু মানুহৰ দৃষ্টিত অনুগ্ৰহ আৰু সুযশস্যা পাবা। ৫ তুমি সমস্ত
মনেৰে সৈতে যিহোৱাক বিশ্বাস কৰা; আৰু তোমাৰ নিজৰ বিবেচনাত
তুমি নিৰ্ভৰ নকৰিবা। ৬ তোমাৰ সকলো পথত তেওঁক স্বীকাৰ কৰিবা,
আৰু তেওঁ তোমাৰ পথবোৰ পোন কৰিব। ৭ তুমি নিজৰ দৃষ্টিত নিজে
জ্ঞানী নহ'বা; যিহোৱালৈ ভয় ৰাখা, আৰু পাপৰ পৰা ঘূৰি আহাঁ। ৮ ই
তোমাৰ শৰীৰ সুস্থ কৰিব, আৰু তোমাৰ দেহলৈ সতেজতা আনিব।
৯ আৰু তোমাৰ সম্পত্তিৰে, আৰু তোমাৰ সকলো উৎপাদনৰ প্ৰথম
ফলৰ সৈতে যিহোৱাক সমাদৰ কৰা। ১০ সেয়ে তোমাৰ ভঁৰালবোৰ
পৰিপূৰ্ণ হ'ব, আৰু তোমাৰ দ্ৰাক্ষাৰসৰ পাত্ৰ নতুন দ্ৰাক্ষাৰসেৰে উপচি
পৰিব। ১১ হে মোৰ পুত্ৰ, যিহোৱাৰ নিয়ম প্ৰণালী হেয়জ্ঞান নকৰিবা;
আৰু তেওঁৰ অনুযোগ হেয়জ্ঞান নকৰিবা। ১২ পিতৃক সন্তুষ্ট কৰা পুত্ৰক
যেনেকৈ পিতৃয়ে প্ৰেম কৰে; ঈশ্বৰেও যি জনক প্ৰেম কৰে, সেই জনক
তেনেকৈ অনুযোগ কৰে। ১৩ যি মানুহে প্ৰজ্ঞা লাভ কৰে তেওঁ সুখী
হয়, আৰু তেওঁ সুবিবেচনাও লাভ কৰে। ১৪ ৰূপৰ পৰিৱৰ্তে পোৱা
লাভতকৈ প্ৰজ্ঞাৰ পৰা পোৱা লাভ উত্তম। আৰু ইয়াৰ লাভ সোণতকৈও
উত্তম। ১৫ প্ৰজ্ঞা অলঙ্কাৰতকৈয়ো বহুমূলীয়া; আৰু তোমাৰ অভিলাষৰ
কোনো বস্তুকেই প্ৰজ্ঞাৰ লগত তুলনা কৰিব নোৱাৰি। ১৬ তেওঁৰ সোঁ
হাতত দীৰ্ঘদিনবোৰ আছে, আৰু বাওঁহাত সমৃদ্ধিশালী আৰু সন্মানীয়।
১৭ তেওঁৰ পথবোৰ দয়াৰে পৰিপূৰ্ণ; আৰু তেওঁৰ সকলো পথ শান্তিময়।

১৮ যিসকলে তেওঁক ধৰি ৰাখে, তেওঁলোকৰ বাবে তেওঁ জীৱনদায়ক
বৃক্ষস্বৰূপ; আৰু যি সকলে তেওঁক ধৰি ৰাখে তেওঁলোক সুখী। ১৯
যিহোৱাই প্রজ্ঞাৰ দ্বাৰাই পৃথিৱী স্থাপন কৰিলে, আৰু সুবুদ্ধিৰ দ্বাৰাই
আকাশ-মণ্ডল প্রতিষ্ঠা কৰিলে। ২০ তেওঁৰ জ্ঞানৰ দ্বাৰাই গভীৰ অংশ
মুক্ত হ'ল; আৰু ডাৱৰে নিয়ৰ বৰষালে। ২১ হে মোৰ পুত্র, তুমি সেই
সকলোকে তোমাৰ দৃষ্টিৰ পৰা আতৰ হ'বলৈ নিদিবা; তুমি ন্যায় বিচাৰ
আৰু বিচক্ষনতা ধৰি ৰাখিবা। ২২ তেওঁলোক তোমাৰ প্রাণৰ জীৱন
স্বৰূপ হ'ব; আৰু অনুগ্রহৰ অলংকাৰ তোমাৰ ডিঙিৰ শোভাস্বৰূপ হ'ব।
২৩ তেতিয়া তুমি তোমাৰ পথত সুৰক্ষিত হৈ চলিব পাৰিবা; আৰু
তোমাৰ ভৰিয়ে উজুতি নাখাব। ২৪ তুমি শয়ন কৰাৰ সময়ত তোমাৰ
ভয় নালাগিব; তুমি যেতিয়া শুবা; তেতিয়া তোমাৰ টোপনি সুমধুৰ
হ'ব। ২৫ তুমি আকস্মিক বিপদলৈ বা দুষ্টবোৰৰ দ্বাৰাই অহা বিনাশ
আহিব, তেতিয়া তুমি ভয় নকৰিবা। ২৬ কাৰণ যিহোৱা তোমাৰ পক্ষত
থাকিব; আৰু তেওঁ তোমাৰ ভৰি ফান্দত নপৰাকৈ ৰাখিব। ২৭ তোমাৰ
উপকাৰ কৰিবৰ সমর্থ থাকিলে, যিসকলক উপকাৰৰ প্রয়োজন,
তেওঁলোকক উপকাৰ নকৰাকৈ নাথাকিবা। ২৮ যেতিয়া তোমাৰ হাতত
ধন থাকে, তেতিয়া ওচৰ চুবুৰীয়াক “যোৱা, পুনৰ আহিবা, মই কাইলৈ
তোমাক দিম,” এইদৰে নক'বা ২৯ যি জনে তোমাক বিশ্বাস কৰে
আৰু তোমাৰ ওচৰত থাকে, সেই ওচৰ চুবুৰীয়াক অনিষ্ট কৰিবলৈ
পৰিকল্পনা নকৰিবা। ৩০ তেওঁ যেতিয়া তোমাৰ কোনো অনিষ্ট নকৰে,
তেতিয়া তেওঁৰ লগত বিনা কাৰণত তর্ক নকৰিবা। ৩১ উগ্র ব্যক্তিক
ভয় নকৰিবা; বা তেওঁৰ কোনো পথ অনুসৰণ নকৰিবা। ৩২ কাৰণ
কুটিললোক যিহোৱাৰ ঘৃণনীয়; কিন্তু তেওঁ ন্যায়নিষ্ঠ সকলৰ লগত
তেওঁৰ আস্থা থাকে। ৩৩ দুষ্ট লোকৰ ঘৰত যিহোৱাৰ শাও থাকে; কিন্তু
তেওঁ ধার্মিকৰ নিবাসক আশীর্ব্বাদযুক্ত কৰে। ৩৪ তেওঁ নিন্দকসকলক
নিন্দা কৰে; কিন্তু নম্রসকলক অনুগ্রহ দান কৰে। ৩৫ জ্ঞানীসকল
সন্মানৰ অধিকাৰী হয়; কিন্তু অজ্ঞানী সকল তেওঁলোকৰ লাজতেই
উর্ধ্বমুখী হ'ব।

৪ হে মোৰ পুত্ৰসকল, পিতৃৰ উপদেশ শুনা, আৰু মনোযোগ দিয়া,
যাতে তুমি সুবিবেচনা বুজিব পাৰা। ২ মই তোমালোকক উত্তম কৰ্মবিধি
দিওঁ। মোৰ শিক্ষা প্ৰণালী পৰিত্যাগ নকৰিবা। ৩ মই যেতিয়া মোৰ
পিতৃৰ পুত্ৰ আছিলোঁ, মোৰ মাতৃৰ মৰমৰ একমাত্ৰ সন্তান আছিলোঁ। ৪
তেওঁ মোক শিকাইছিল আৰু মোক কৈছিল, "তোমাৰ হৃদয়ত মোৰ
বাক্য ধৰি ৰাখা; মোৰ আজ্ঞাবোৰ পালন কৰা আৰু জীৱন ধাৰণ কৰা।"
৫ প্ৰজ্ঞা আৰু বিবেচনা শক্তি অৰ্জন কৰা; মোৰ মুখৰ পৰা ওলোৱা বাক্য
নাপাহৰিবা আৰু ত্যাগ নকৰিবা। ৬ প্ৰজ্ঞাক ত্যাগ নকৰিবা, তেতিয়া
তেওঁ তোমাৰ ওপৰত দৃষ্টি ৰাখিব; তেওঁক প্ৰেম কৰা, আৰু তেওঁ
তোমাক সুৰক্ষিত কৰি ৰাখিব। ৭ প্ৰজ্ঞা হৈছে অতি গুৰুত্বপূৰ্ণ বিষয়,
সেয়ে প্ৰজ্ঞা অৰ্জন কৰা; আৰু তুমি অৰ্জন কৰা প্ৰজ্ঞাক সকলোতে
ব্যৱহাৰ কৰা, তাতে তুমি বিবেচনা শক্তি লাভ কৰিবা। ৮ প্ৰজ্ঞাক
সস্নেহে প্ৰতিপালন কৰা, তেওঁ তোমাক উচ্চ স্হানত স্হাপন কৰিব;
তুমি তেওঁক আঁকোৱালি ধৰিলে, তেওঁ তোমাক আদৰ কৰিব। ৯
তেওঁ তোমাৰ মুৰত সন্মানীয় মালা দিব, তেওঁ তোমাক এটা সুন্দৰ
মুকুট দিব।" ১০ হে মোৰ পুত্ৰ শুনা, আৰু মোৰ কথালৈ মনোযোগ
দিয়া; তেতিয়া তুমি বহু বছৰ জীয়াই থাকিবা। ১১ মই তোমাক প্ৰজ্ঞাৰ
পথত পৰিচালনা কৰিছোঁ, মই তোমাক সৰল পথত নেতৃত্ব দিছোঁ। ১২
তুমি যেতিয়া খোজ দিবা, তেতিয়া কোনো এজনেও তোমাৰ পথত
থিয় নহ'ব; আৰু তুমি দৌৰ মাৰিলেও উজুটি নাখাবা। ১৩ নিয়ম
প্ৰণালী মানি চলিবা, ইয়াক যাবলৈ নিদিবা; ইয়াক পহৰা দিয়া, কাৰণ
এয়ে তোমাৰ জীৱন। ১৪ পাপীবোৰৰ পথ অনুসৰণ নকৰিবা, আৰু
যিসকলে দুষ্টকৰ্ম কৰে, তেওঁলোকৰ পথত নাযাবা। ১৫ তেওঁলোকৰ
পৰা দূৰত থাকিবা, সেই পথত নাযাবা, সেই পথৰ পৰা ঘূৰি আহাঁ,
আৰু অন্য পথত যোৱা; ১৬ কাৰণ তেওঁলোকে কুকৰ্ম নকৰালৈকে
তেওঁলোকৰ টোপনি নাহে, আৰু তেওঁলোকে কোনো লোকক উজুটি
নোখোৱালৈকে তেওঁলোকৰ টোপনি নাহে। ১৭ কাৰণ তেওঁলোকে
দুষ্টতাৰূপ পিঠা ভোজন কৰে, আৰু উপদ্ৰৱৰূপ দ্ৰাক্ষাৰস পান কৰে।
১৮ ধাৰ্মিকলোকৰ পথ সূৰ্যদয়ৰ দীপ্তিৰ দৰে, সেয়ে উজ্জলতাৰ পৰা

উজ্জলতালৈ গতি কৰে। ১৯ দুষ্টবোৰৰ পথ অন্ধকাৰৰ নিচিনা; সিহঁতে
কিহত উজুতি খায় তাক নাজানে। ২০ হে মোৰ পুত্ৰ, মোৰ বাক্যলৈ
মনোযোগ দিয়া, মই কোৱা কথা শুনা। ২১ সেইবোৰ তোমাৰ দৃষ্টিৰ
পৰা দূৰ হব নিদিবা; সেইবোৰ তোমাৰ হৃদয়ত বান্ধি ৰাখা। ২২
কাৰণ যিসকলে সেইবোৰ বিচাৰি পায়, তেওঁলোকৰ বাবে মোৰ বাক্য
জীৱনস্বৰূপ, আৰু তেওঁলোকৰ সৰ্ব্বশৰীৰলৈ সুস্বাস্থ্যস্বৰূপ। ২৩ সকলো
অধ্যৱসায়ৰ দ্বাৰাই তোমাৰ হৃদয়ক অধিক যত্নেৰে ৰক্ষা কৰা, কিয়নো
তাৰ পৰাই জীৱন উৎপন্ন হয়। ২৪ তোমাৰ মুখৰ পৰা কটুকথা দূৰ
কৰা, আৰু নৈতিকতাহীন কথা তোমাৰ পৰা দূৰ কৰা। ২৫ তোমাৰ
চকুৱে সন্মুখলৈ চাওক, আৰু তোমাৰ দৃষ্টি তোমাৰ সন্মুখত স্থিৰ কৰা।
২৬ তোমাৰ ভৰিৰ কাৰণে পথ সমান কৰা, তেতিয়া তোমাৰ সকলো
পথ সুৰক্ষিত হ'ব। ২৭ সোঁ হাতে কি বাওঁ হাতে নুঘুৰিবা, মন্দৰ পৰা
তোমাৰ ভৰি দূৰত ৰাখিবা।"

৫ হে মোৰ পুত্ৰ, মোৰ প্ৰজ্ঞালৈ মনোযোগ দিয়া; সাৱধানতাৰে মোৰ
তাৎপৰ্যপূৰ্ণ কথা শুনা। ২ সেয়ে তুমি সুবিবেচনা শিকিব পাৰিবা; আৰু
তোমাৰ ওঁঠে জ্ঞান ৰক্ষা কৰিব পাৰিব। ৩ কিয়নো ব্যভিচাৰিণীৰ ওঁঠৰ
পৰা টোপে টোপে মৌ বৰষে, আৰু তেওঁৰ মুখৰ কথা তেলতকৈয়ো
মসৃণ। ৪ কিন্তু শেষত তেওঁ চোকা তৰোৱালে কটাৰ দৰে কাটে।
তিতা উদ্ভিদৰ দৰে হয়, ৫ তেওঁৰ ভৰি মৃত্যুলৈ নামি যায়, তেওঁ খোজ
দিয়া সকলো পথ চিয়োললৈ যায়। **(Sheol h7585)** ৬ তেওঁ জীৱন পথত
কোনো চিন্তা নকৰে; তেওঁৰ খোজ আচৰ্যজনক, তেওঁ ক'লৈ গৈ আছে
তেওঁ নাজানে। ৭ আৰু এতিয়া, হে মোৰ পুত্ৰসকল, মোৰ কথা শুনা,
মোৰ মুখৰ বাক্য শুনাৰ পৰা বিমুখ নহবা। ৮ তেওঁৰ পৰা তোমাৰ পথ
দূৰত ৰাখা; তেওঁৰ ঘৰৰ দুৱাৰৰ ওচৰলৈ নাযাবা। ৯ নহ'লে তোমাৰ
সন্মান অন্যলোকক এৰি দিব লাগিব, আৰু তোমাৰ জীৱনৰ বছৰবোৰ
নিৰ্দয় ব্যক্তিক দিব লাগিব। ১০ তোমাৰ সম্পত্তি অচিনাকী লোকে
ভোগ কৰিব; আৰু তোমাৰ পৰিশ্ৰমৰ ফল অচিনাকী লোকৰ ঘৰলৈ
যাব। ১১ আৰু তোমাৰ জীৱনৰ শেষত তুমি আৰ্তনাদ কৰিবা; তোমাৰ
যেতিয়া শৰীৰ আৰু মাংস ক্ষয় হ'ব, ১২ তুমি ক'বা, "মই কেনেকৈ

শাসন প্ৰণালীক ঘিণ কৰিছিলোঁ। আৰু মোৰ অন্তৰে অনুযোগ হেয়জ্ঞান কৰিলে। ১৩ মই মোৰ শিক্ষকসকলক মানিচলা নাছিলো, বা মোক দিয়া উপদেশ নুশুনিলোঁ। ১৪ সমাজ আৰু সমবেত লোকসকলৰ মাজত মই প্ৰায় সম্পূৰ্ণ ধ্বংস হলোঁ। ১৫ তুমি তোমাৰ নিজৰ পুখুৰীৰ পানী খোৱা, আৰু তোমাৰ নিজৰ নাদৰ পৰা ওলাই থকা পানী পান কৰা। ১৬ তোমাৰ ভুমুকবোৰ চাৰিওফালে প্লাৱিত হ'ব লাগে নে? আৰু তোমাৰ জুৰিৰ পানী জনসাধৰণৰ মাজলৈ বৈ যাব লাগে নে? ১৭ সেইবোৰ কেৱল তোমাৰ নিজৰ বাবেই হওক, আৰু তোমাৰ সৈতে থকা অচিনাকী লোকৰ বাবে নহওক। ১৮ তোমাৰ ভুমুক আশীৰ্ব্বাদযুক্ত হওক; তুমি তোমাৰ যৌৱন কালৰ ভাৰ্যাত আনন্দ কৰা। ১৯ কাৰণ তেওঁ মৰমীয়াল হৰিণী আৰু লাবন্যময়ী মৃগ, তেওঁৰ স্তনৰ দ্বাৰাই সকলো সময়ত তুমি তৃপ্ত হোৱা, আৰু তেওঁৰ প্ৰেমতেই সদায় মত্ত থাকা। ২০ কিয়নো হে মোৰ পুত্ৰ, তুমি ব্যভিচাৰিণীত কিয় মত্ত হবা? আৰু তুমি অচিনাকী মহিলাৰ বুকু কিয় সাৱটি ধৰিবা? ২১ কিয়নো মানুহে কৰা সকলো কাম যিহোৱাই চাই, আৰু তেওঁ তাৰ সকলো পথ পৰ্যবেক্ষণ কৰে। ২২ এজন দুষ্ট লোক নিজৰ অপৰাধতে ধৰা পৰে; তেওঁক নিজৰ পাপৰূপ জৰীয়ে বান্ধি ৰাখে। ২৩ নিয়মানুবৰ্ত্তিতাৰ অভাৱত তেওঁৰ মৃত্যু হয়; তেওঁৰ অজ্ঞানতাৰ কাৰণে তেওঁ বিপথে যায়।

**৬** হে মোৰ পুত্ৰ, তুমি যদি তোমাৰ চুবুৰীয়াৰ জামিন হ'বলৈ তোমাৰ ধন এফলিয়া কৈ ৰাখা, তুমি যদি কোনো অচিনাকী লোকক ধাৰ দিবলৈ প্ৰতিজ্ঞা কৰা, ২ তেনেহ'লে তুমি নিজে কৰা প্ৰতিজ্ঞাৰ দ্বাৰাই ফান্দত পৰিবা, আৰু তুমি নিজৰ মুখৰ কথাৰ দ্বাৰাই ধৰা পৰিবা। ৩ হে মোৰ পুত্ৰ, সেই বিষয়ত তুমি এইদৰে কৰা আৰু নিজকে ৰক্ষা কৰা; কাৰণ তুমি তোমাৰ চুবুৰীয়াৰ অনুগ্ৰহত আছা। যোৱা আৰু নিজকে নম্ৰ কৰি তোমাক মুক্ত কৰিবলৈ তোমাৰ চুবুৰীয়াক মিনতি কৰা। ৪ তোমাৰ চকুক টোপনি যাবলৈ নিদিবা, আৰু চকুৰ পতাক মুদ যাবলৈ নিদিবা। ৫ হৰিণে চিকাৰীৰ হাতৰ পৰা ৰক্ষা পোৱাৰ দৰে, আৰু চৰাইয়ে চিকাৰীৰ হাতৰ পৰা ৰক্ষা পোৱাৰ দৰে তুমি নিজকে ৰক্ষা কৰা। ৬ হে এলেহুৱা লোক, পৰুৱালৈ দৃষ্টি কৰা, সিহঁতৰ কাৰ্যলৈ চাই

জ্ঞানী হোৱা। ৭ সিহঁতৰ কোনো অধিপতি, কাৰ্যধ্যক্ষ, বা শাসনকৰ্ত্তা নাই, ৮ তথাপি সিহঁতে জহকালৰ আহাৰ গোটায়, আৰু শস্য দোৱাৰ সময়ত আহাৰ চপায়। ৯ হে এলেহুৱা, তুমি কিমান কাল শুই থাকিবা? আৰু কেতিয়া টোপনিৰ পৰা উঠিবা? ১০ "আৰু অলপ শুই থাকো, আৰু অলপ টোপনিয়াও, আৰু অলপ জিৰণী লববলৈ হাত সাৱটো"- ১১ তেতিয়া তোমাৰ দৰিদ্ৰতা ডকাইতৰ দৰে, আৰু তোমাৰ প্ৰয়োজনীতা সুসজ্জিত ৰণুৱাৰ দৰে আহিব। ১২ এজন অপদাৰ্থ ব্যক্তি, এজন পাপী লোক- কটু কথাৰ দ্বাৰাই জীয়াই থাকে। ১৩ তেওঁ চকু টিপিয়াই আৰু ভৰিৰে সঙ্কেত দিয়ে, আৰু আঙুলিৰে ইঙ্গিত কৰে। ১৪ তেওঁ হৃদয়ৰ প্ৰতাৰণাৰ সৈতে বেয়া চক্ৰান্ত কৰে, তেওঁ সদায় বিবাদক আলোড়িত কৰে, ১৫ সেই কাৰণে তেওঁলৈ অকস্মাতে দুৰ্যোগ আহে; তৎক্ষণাত সুস্থ হ'ব নোৱাৰাকৈ তেওঁ ভাঙি পৰে। ১৬ যিহোৱাই ঘিণ কৰা বিষয় ছয়টা, সপ্তমটো তেওঁলৈ বিতৃষ্ণাজনক। ১৭ গৰ্ব্ব কৰা চকু, মিছা কথা কোৱা জিভা, নিৰ্দ্দোষীৰ তেজত পতিত হোৱা হাত, ১৮ বেয়া পৰিকল্পনা কৰা হৃদয়, বেয়া কৰ্ম কৰিবলৈ বেগাই দৌৰ মৰা ভৰি, ১৯ মিছা কথা ব্যক্ত কৰা সাক্ষী, আৰু ভাইসকলৰ মাজত কন্দলৰূপ গুটি সিচোঁতা লোক। ২০ হে মোৰ পুত্ৰ, তুমি তোমাৰ পিতৃৰ আজ্ঞা পালন কৰা, আৰু তোমাৰ মাতৃৰ শিক্ষা হেয়জ্ঞান নকৰিবা। ২১ সেইবোৰ সদায় তোমাৰ হৃদয়ত গাঁঠি থোৱা, আৰু সেইবোৰ ডিঙিত বান্ধি ৰাখা। ২২ তুমি যেতিয়া খোজ কাঢ়িবা, তেতিয়া সেইবোৰে তোমাক পৰিচালনা কৰিব, তুমি যেতিয়া শুবা, তেতিয়া সেইবোৰে তোমাক পৰ দি ৰাখিব, আৰু যেতিয়া তুমি শুই উঠিবা, তেতিয়া সেইবোৰে তোমাক শিক্ষা প্ৰদান কৰিব। ২৩ কাৰণ সেই আজ্ঞাবোৰ প্ৰদীপস্বৰূপ, আৰু সেই শিক্ষা পোহৰস্বৰূপ হয়, নেতিবাচক অনুশাসন জীৱনৰ পথ হয়। ২৪ অসৎ মহিলাৰ পৰা, আৰু ব্যভিচাৰিণীৰ মিঠা কথাৰ পৰা ই তোমাক দূৰ কৰি ৰাখে, ২৫ তুমি তোমাৰ অন্তৰেৰে তেওঁৰ সৌন্দৰ্যত মোহ নাযাবা, আৰু তেওঁক তেওঁৰ চকুৰে তোমাক মোহিত কৰিব নিদিবা। ২৬ বেশ্যা মহিলাৰ সৈতে শয়ন কৰা, এটা পিঠাৰ মূল্যৰ সমান হ'ব পাৰে, কিন্তু অন্য লোকৰ ভাৰ্যাই তোমাৰ সমগ্ৰ জীৱন ক্ষতি কৰিব

পাৰে। ২৭ কাপোৰ নোপোৰাকৈ কোনোবাই নিজৰ বুকুত, জুই ৰাখিব
পাৰে নে? ২৮ কোনোবাই জানো নিজৰ ভৰি নোপোৰাকৈ, জ্বলি
থকা আঙঠাৰ ওপৰত খোজকাঁঢ়িব পাৰে নে? ২৯ সেয়ে যি মানুহে
নিজৰ চুবুৰীয়াৰ ভাৰ্যাৰ ওচৰলৈ যায়, সেই জনে তেওঁৰে সৈতে সম্পৰ্ক
কৰিলে, তেওঁ দণ্ড নোপোৱাকৈ নাথাকে। ৩০ চোৰে ক্ষুধাতুৰ হৈ পেট
ভৰাবলৈ চুৰ কৰিলে, লোকসকলে তেওঁক ঘিণ নকৰিব পাৰে; ৩১
কিন্তু ধৰা পৰিলে, তেওঁ তাৰ সাত গুণ ক্ষতি পুৰণ কৰিব লাগিব, আৰু
নিজৰ ঘৰৰ সৰ্ব্বস্বৰ মূল্য দিব লগা হ'ব। ৩২ যিজনে পৰস্ত্ৰীৰ সৈতে
সহবাস কৰে তেওঁ জ্ঞানশূন্য; যি মানুহে এনে কাৰ্য কৰে, তেওঁ নিজকে
ধ্বংস কৰে। ৩৩ তেওঁ আঘাত আৰু অপমান পোৱাৰ যোগ্য; আৰু
তেওঁৰ অপমান কেতিয়াও মচি দিয়া নহ'ব। ৩৪ কাৰণ ঈৰ্ষাই মানুহক
ক্ৰোধান্বিত কৰে; তেওঁ যেতিয়া প্ৰতিশোধ লয়, তেতিয়া তেওঁ দয়া
নেদেখোৱায়। ৩৫ তেওঁ কোনো প্ৰকাৰৰ ক্ষতিপূৰণ গ্ৰহণ নকৰিব;
আৰু তুমি তেওঁক বহুত উপহাৰ দিলেও তেওঁক কিনিব নোৱাৰিবা।

৭ হে মোৰ পুত্ৰ, মোৰ বাক্য পালন কৰা, আৰু মোৰ আজ্ঞাবোৰ
তোমাৰ হৃদয়ত সংগ্ৰহ কৰা। ২ মোৰ আজ্ঞা পালন কৰি জীৱন ধাৰণ
কৰা; তোমাৰ চকুৰ মণিৰ দৰে মোৰ নিৰ্দেশ মানি চলা। ৩ সেইবোৰ
তোমাৰ আঙুলিত বান্ধা, আৰু তোমাৰ হৃদয় ফলিত লিখি ৰাখা। ৪
প্ৰজ্ঞাক কোৱা, "তুমি মোৰ ভনী," আৰু সুবিবেচনাক কোৱা তুমি মোৰ
আত্মীয়। ৫ প্ৰলোভনকাৰী, আৰু মুখৰ বাক্যেৰে ব্যভিচাৰ কৰা মহিলাৰ
পৰা নিজকে ৰক্ষা কৰা। ৬ মোৰ ঘৰৰ খিড়িকিৰ ওচৰত থিয় হৈ, মই
জালিৰে বাহিৰলৈ চাইছিলোঁ। ৭ আৰু মই বহুতো শিক্ষা নোপোৱা
যুৱকসকলক দেখিছিলোঁ, যুৱক সকলৰ মাজত মই এজন জ্ঞানশূন্য
যুৱকক দেখিছিলোঁ। ৮ সেই যুৱকজনে তাইৰ ঘৰৰ ওচৰৰ বাটেৰে
গৈ আছিল, আৰু তেওঁৰ ঘৰলৈ গ'ল- ৯ সেই দিনা সন্ধিয়া চকামকা
সময় আছিল, ৰাতি আৰু আন্ধাৰৰ সেই সময়ত। ১০ আৰু সেই ঠাইত
এগৰাকী মহিলাই তেওঁক ল'গ পালে, বেশ্যাৰ দৰে তাইৰ পোচাক,
আৰু তাই জানিছিল তাই তাত কিয় আছিল। ১১ তাই কোলাহলপূৰ্ণ
আৰু উচ্ছৃঙ্খল, তাইৰ ভৰি ঘৰত নাথাকে। ১২ তাই কেতিয়াবা বাটত,

কেতিয়াবা বজাৰত উপস্থিত হয়, তাই প্ৰতিটো চকতে বাট চাই থাকে।
১৩ সেয়ে তাই তেওঁক সাৱটি ধৰি চুমা খালে; তাই দুঃসাহসেৰে
তেওঁক ক'লে, ১৪ "মই আজি মোৰ মঙ্গলাৰ্থক বলিদান কৰিলোঁ, মই
মোৰ সঙ্কল্প সিদ্ধ কৰিলোঁ; ১৫ সেয়ে মই আপোনাক লগ পাবলৈ
বাহিৰলৈ আহিলোঁ, মই আগ্ৰহেৰে আপোনাক বিচাৰিছিলোঁ, আৰু মই
আপোনাক বিচাৰি পালোঁ। ১৬ মই মোৰ বিচনা মিচৰৰ পৰা অনা ৰঙীণ
কাপোৰেৰে ঢাকিলোঁ। ১৭ মই গন্ধৰস, অগৰু, আৰু ডালচেনিৰে মোৰ
বিচনা সুগন্ধি কৰিলোঁ। ১৮ আহাঁ, আমি ৰাতিপুৱালৈকে প্ৰেমত লীন হৈ
থাকোঁ। আহাঁ আমি বেলেগ ধৰণে প্ৰেম উপভোগ কৰোঁ। ১৯ মোৰ
স্বামী ঘৰত নাই, তেওঁ দূৰ যাত্ৰাত গৈছে। ২০ তেওঁ তেওঁৰ লগত ধনৰ
মোনা লৈ গৈছে, তেওঁ পুৰ্ণিমাৰ দিনহে ঘূৰি আহিব।" ২১ তাই তাইৰ
প্ৰলোভনযুক্ত কথাৰে তেওঁক মান্তি কৰালে; আৰু তাইৰ মধুৰ কথাৰে
বাধ্য কৰালে। ২২ তেওঁ কাটিবলৈ নিয়া গৰুৰ দৰে বা ফান্দত ধৰা পৰা
হৰিণৰ দৰে তাইৰ পাছে পাছে গ'ল। ২৩ যেতিয়ালৈকে কলিজাৰ
মাজেৰে কাঁড়ে নিবিন্ধে বা চৰাই জালৰ ফান্দত পৰিবলৈ যিদৰে শীঘ্ৰে
উড়ি যোৱাৰ দৰে, ইয়াৰ মূল্য যে তেওঁৰ জীৱন হ'ব পাৰে, সেই কথা
তেওঁ নজনাকৈ তাইৰ পাছে পাছে গৈ থাকিল। ২৪ আৰু এতিয়া হে
মোৰ পুত্ৰ, মোৰ কথা শুনা, মই কোৱা কথালৈ মনোযোগ দিয়া। ২৫
তোমাৰ হৃদয় তাইৰ ফাললৈ ঢাল খাব নিদিবা, আৰু তুমি তাইৰ
পথত গৈ বিপথগামী নহবা। ২৬ তাই অনেকক আনি নষ্ট কৰিছে,
তেওঁলোকক গণনা কৰিব নোৱাৰি। ২৭ তাইৰ ঘৰেই চিয়োললৈ যোৱা
বাট, আৰু মৃত্যুৰ অন্তঃপুৰলৈ নামি যোৱা পথ। **(Sheol h7585)**

**৮** প্ৰজ্ঞাই জানো নকয়? সুবুদ্ধিয়ে জানো উচ্চস্বৰে নকয়? ২ বাটৰ
কাষৰ ওখ ঠাইত, চাৰিআলিত প্ৰজ্ঞা থিয় হয়। ৩ তাৰ উপৰিও নগৰৰ
প্ৰৱেশস্থানত, আৰু নগৰৰ দুৱাৰৰ ওচৰত থাকি ৰিঙিয়াই কয়, ৪ "হে
লোকসকল, মই তোমালোকক মাতিছোঁ; আৰু মানৱজাতিৰ সন্তান
সকলৰ বাবে মই উচ্ছস্বৰে কওঁ। ৫ যিসকল শিক্ষিত নহয়, তেওঁলোকে
সুবুদ্ধিক বুজা উচিত, আৰু যিসকলে জ্ঞানক ঘিণ কৰে, তেওঁলোকৰ
সুবিবেচনাৰ হৃদয় থকা উচিত। ৬ শুনা, মই উত্তম বিষয়ৰ কথা

কওঁ, আৰু যেতিয়া মোৰ মুখ মেলোঁ, তেতিয়া মই সত্য কথা কওঁ। ৭
কিয়নো মোৰ মুখে বিশ্বাসযোগ্য কথা কয়, আৰু মোৰ ওঁঠে দুষ্টতা ঘিণ
কৰে। ৮ মোৰ মুখৰ সকলো কথা ন্যায়পৰায়ণ; সেইবোৰৰ মাজত
বিকৃত, বা বিভ্ৰান্তিজনক বিষয়ৰ কথা নাথাকে। ৯ যি সকলে বুজি
পাই, তেওঁলোকৰ কাৰণে মোৰ কথাবোৰ স্পষ্ট; যি সকলে জ্ঞান লাভ
কৰে, তেওঁলোকৰ কাৰণে মোৰ কথাবোৰ সত্য। ১০ ৰূপতকৈ মোৰ
শিক্ষা, আৰু শুদ্ধ সোণতকৈয়ো জ্ঞান গ্ৰহণ কৰা। ১১ কিয়নো প্ৰজ্ঞা
পদ্মৰাগতকৈয়ো উত্তম, তুমি ইচ্ছা কৰা কোনো বস্তুকে তাৰ লগত
তুলনা কৰিব নোৱাৰি। ১২ মই প্ৰজ্ঞাই সুবুদ্ধিয়ে সৈতে বাস কৰোঁ,
আৰু মই জ্ঞান আৰু বিবেচনা লাভ কৰোঁ। ১৩ যিহোৱাক ভয় কৰায়েই
দুষ্টতাক ঘিণ কৰা হয়; মই অহংকাৰ, গৰ্ব, কুপথ, আৰু বিপথগামী কথা
ঘিণ কৰোঁ। ১৪ মোৰ ভাল পৰামৰ্শ আৰু গভীৰ প্ৰজ্ঞা আছে; সুক্ষ্মদৃষ্টি
আৰু পৰাক্ৰম মোৰেই। ১৫ মোৰ দ্বাৰাই ৰজাসকলে ৰাজত্ব কৰে,
অভিজাত লোকসকল আৰু ন্যায়েৰে যিসকল লোকে শাসন কৰে,
সেইসকলো মোৰেই। ১৬ অধিপতি, অভিজাত, আৰু যিসকলে ন্যায়েৰে
শাসন কৰে, সেই সকলে মোৰ দ্বাৰাই কৰে। ১৭ যিসকলে মোক প্ৰেম
কৰে, ময়ো তেওঁলোকক প্ৰেম কৰোঁ, আৰু যিসকলে মোক আগ্ৰহেৰে
বিচাৰে, তেওঁলোকে মোক বিচাৰি পায়। ১৮ ঐশ্বৰ্য্য আৰু মান মৰ্য্যদা
মোৰ লগতে আছে, এনে কি অক্ষয় সম্পত্তি আৰু ধাৰ্মিকতা আছে। ১৯
সোণতকৈ আৰু শুদ্ধ সোণতকৈয়ো মোৰ ফল উত্তম; শুদ্ধ ৰূপতকৈয়ো
মই যি উৎপন্ন কৰোঁ সেয়া উত্তম। ২০ মই যি পথেৰে যাওঁ, সেই পথ
শুদ্ধ; সেই পথে ন্যায়লৈ লৈ যায়। ২১ সেয়ে যিসকলে মোক ভাল পায়
তেওঁলোকক মই উত্তৰাধিকাৰ দিওঁ, আৰু তেওঁলোকৰ ভঁৰাল পৰিপূৰ্ণ
কৰিম। ২২ যিহোৱাই আৰম্ভণীৰে পৰা মোক সৃষ্টি কৰিলে- পূৰ্বৰ
দৰেই তেওঁৰ প্ৰথম কাৰ্য। ২৩ অনাদি কালৰ পৰা, পৃথিবীৰ আৰম্ভণীৰে
পৰা মই স্থাপিত হৈ আছোঁ। ২৪ মহাসাগৰৰ আগতে, আৰু পানীৰ
ভুমুকবোৰ হোৱাৰ আগতে, মোক জন্ম দিয়া হৈছিল। ২৫ পৰ্ব্বতবোৰ
স্থাপন হোৱাৰ আগতে, আৰু পাহাৰবোৰৰ পূৰ্বেই, মোৰ জন্ম হৈছিল।
২৬ যিহোৱাই পৃথিৱী বা পথাৰবোৰ সৃষ্টিৰ কৰাৰ আগতে, এনেকি

পৃথিৱীত উৎপন্ন হোৱা প্ৰথম ধূলিৰ আগতে মোৰ জন্ম হৈছিল। ২৭
তেওঁ স্বৰ্গ স্থাপন কৰা সময়ত, আৰু তেওঁ অগাধ জলত দিগন্তৰ সীমা
নিৰূপণ কৰোঁতে, মই সেই ঠাইত আছিলোঁ। ২৮ তেওঁ যেতিয়া আকাশ-
মণ্ডল স্থাপন কৰিছিল, আৰু যেতিয়া গভীৰ ভুমুকবোৰ সৃষ্টি কৰিছিল,
তেতিয়া মই সেই ঠাইত আছিলোঁ। ২৯ সাগৰ সীমা নিৰূপণ কৰাৰ
আগেয়ে মই সেই ঠাইত আছিলোঁ, সেয়ে সাগৰৰ পানী তেওঁ আজ্ঞা
কৰা ঠাইৰ বাহিৰে আন ঠাইত যেন প্লাৱিত নহয়। আৰু যেতিয়া তেওঁ
পৃথিবীৰ মূল ক'ত স্থাপন হব আদেশ দিছিল। ৩০ তেতিয়া মই তেওঁৰ
লগত প্ৰধান শিল্পকাৰ ৰূপে আছিলোঁ, আৰু মই দিনৰ পাচত দিন
তেওঁত আনন্দ কৰিছিলোঁ, সদায় তেওঁৰ আগত প্ৰশংসা কৰিছিলোঁ।
৩১ মই তেওঁৰ সমগ্ৰ পৃথিৱীত প্ৰশংসা কৰিছিলোঁ, আৰু মানৱজাতিৰ
মাজত মোৰ আনন্দ হৈছিল। ৩২ এতিয়া হে মোৰ পুত্ৰসকল, মোৰ
কথা শুনা; কাৰণ যিসকলে মোৰ পথত চলে, তেওঁলোক আনন্দিত
হ'ব। ৩৩ মোৰ নিৰ্দেশ শুনা আৰু জ্ঞানী হোৱা; ইয়াক অৱজ্ঞা নকৰিবা।
৩৪ যিজনে মোৰ কথা শুনে, তেওঁ আনন্দিত হ'ব- মোৰ দুৱাৰত প্ৰতি
দিনে পৰ দি থাকিব, মোৰ ঘৰৰ দুৱাৰৰ কাষত মোৰ বাবে অপেক্ষা
কৰি থাকিব। ৩৫ কাৰণ যি জনে মোক বিচাৰি পায়, তেওঁ জীৱন পায়,
আৰু তেওঁ যিহোৱাৰ পৰা অনুগ্ৰহ লাভ কৰে। ৩৬ কিন্তু যি জনে মোক
বিচাৰি নাপায়, তেওঁ নিজৰ অনিষ্ট কৰে। যিসকলোৱে মোক ঘিণ কৰে,
তেওঁলোকে মৃত্যুক ভাল পায়।"

৯ প্ৰজ্ঞাই নিজৰ গৃহ নিৰ্মাণ কৰিলে; তেওঁ শিলৰ পৰা সাতটা স্তম্ভ
কাটিলে। ২ তেওঁ ৰাতিৰ আহাৰৰ বাবে নিজৰ পশু আৰু দ্ৰাক্ষাৰস যুগুত
কৰিলে; আৰু তেওঁ নিজৰ মেজ সজালে। ৩ তেওঁ নিজৰ দাসীসকলক
বাহিৰলৈ পঠাই নগৰৰ ওখ ঠাইৰ পৰা নিমন্ত্ৰণ কৰিলে। ৪ "যিসকল
অশিক্ষিত, তেওঁলোক ইয়ালৈ আহক!" যিসকল জ্ঞানশূন্য তেওঁলোকক
তেওঁ ক'লে, ৫ "আহাঁ, মোৰ আহাৰ ভোজন কৰা, আৰু মই মিহলাই
থোৱা দ্ৰাক্ষাৰস পান কৰা। ৬ শিক্ষাবিহীন পথ এৰি জীৱন ধাৰণ কৰা,
সুবিবেচনাৰ পথত চলা। ৭ যিজনে নিন্দক লোকক শিক্ষা দিয়ে, তেওঁ
অপমান পায়, আৰু যিজনে দুষ্টক অনুযোগ কৰে, তেওঁ মনত আঘাত

পায়। ৮ তুমি নিন্দক লোকক অনুযোগ নকৰিবা, কৰিলে তেওঁ তোমাক
ঘিণ কৰিব; জ্ঞানী লোকক অনুযোগ কৰা, তেওঁ তোমাক প্ৰেম কৰিব।
৯ জ্ঞানী লোকক শিক্ষা দিয়া, তেওঁ অধিক জ্ঞানী হ'ব; ধাৰ্মিক লোকক
শিক্ষা দিয়া, তেওঁ শিক্ষাত বৃদ্ধি পাব। ১০ যিহোৱালৈ ভয় ৰখাই প্ৰজ্ঞাৰ
আৰম্ভণ, আৰু পবিত্ৰজনাক জনাই সুবিবেচনা। ১১ কিয়নো মোৰ
দ্বাৰাই তোমাৰ আয়ুস বৃদ্ধি হ'ব, আৰু তোমাৰ জীৱনৰ বছৰবোৰ বাঢ়ি
যাব। ১২ তুমি যদি জ্ঞানী, তেনেহ'লে তোমাৰ বাবেই তুমি জ্ঞানী,
কিন্তু যদি তুমি নিন্দক, তেনেহ'লে তুমি অকলেই তাৰ ভাৰ ব'বা।"
১৩ অজ্ঞানী মহিলা কোলাহলপূৰ্ণ- তেওঁ অশিক্ষিত, আৰু তেওঁ একো
নাজানে। ১৪ তেওঁ নিজৰ ঘৰৰ দুৱাৰত, আৰু নগৰৰ উচ্চ স্থানত বহে।
১৫ যিসকলে সেই পথেৰে যায়, তেওঁলোকক মাতে; সেই লোকসকল
নিজ পথত গৈ থাকিলেও তেওঁ মাতে, ১৬ "যিসকলে শিক্ষা পোৱা নাই,
তেওঁলোক ইয়ালৈ আহক!" যিসকল জ্ঞানশূন্য, তেওঁলোকক তেওঁ কয়,
১৭ "চুৰ কৰা পানী মিঠা, আৰু গুপুতে খোৱা আহাৰ অতি সুস্বাদু।" ১৮
কিন্তু মৃত্যু যে তাত আছে, আৰু তেওঁৰ অতিথি সকল যে চিয়োলৰ
গভীৰ ঠাইত আছে, সেই কথা তেওঁ নাজানে। **(Sheol h7585)**

**১০** চলোমনৰ নীতি বাক্য। জ্ঞানী পুত্ৰই পিতৃক আনন্দিত কৰে;
কিন্তু অজ্ঞানী পুত্ৰই নিজৰ মাতৃৰ মনত দুখ দিয়ে। ২ দুষ্টতাৰে অৰ্জন
কৰা ধন-সম্পত্তিৰ কোনো মূল্য নাই; কিন্তু সত্যতাৰে কাৰ্য কৰা
জনক মৃত্যুৰ পৰা উদ্ধাৰ কৰে। ৩ যিসকলে সত্যতাৰে কাৰ্য কৰে,
যিহোৱাই তেওঁলোকক ভোকত থাকিব নিদিয়ে; কিন্তু তেওঁ দুষ্টবোৰৰ
বাঞ্ছা পুৰ নকৰে। ৪ এলেহুৱা হাতেৰে কাম কৰা মানুহ দৰিদ্ৰ হয়,
কিন্তু পৰিশ্ৰমীজনৰ হাতে তেওঁক ধনৱান কৰে। ৫ গ্ৰীষ্ম কালত
বুদ্ধিমান পুত্ৰই শস্য চপায়; কিন্তু শস্য দোৱাৰ সময়ত টোপনিত থকা
জন লজ্জাজনক পুত্ৰ। ৬ সত্যতাৰে কাৰ্য কৰা জনৰ ওপৰত ঈশ্বৰৰ
আশীৰ্ব্বাদ আছে; কিন্তু দুষ্টবোৰৰ মুখ অত্যাচাৰেৰে পৰিপূৰ্ণ। ৭
সত্যতাৰ কাৰ্য কৰা কোনো লোকৰ কথা ভাবিলে আমি আনন্দিত হওঁ;
কিন্তু দুষ্টবোৰৰ নাম লুপ্ত হ'ব। ৮ যিসকল লোক সচেতন, তেওঁলোকে
আজ্ঞা পালন কৰে; কিন্তু অধিক কথা কোৱা মূৰ্খলোক ধ্বংসৰ পথত

যায়। ৯ যি জনে সিদ্ধতাৰূপ পথত খোজ দিয়ে, তেওঁ সুৰক্ষিত হৈ চলে, কিন্তু যিজনে নিজৰ পথ কুটিলতাৰে পূৰ্ণ কৰে, তেওঁক বিচাৰি উলিওৱা হ'ব। ১০ চকুৰে ইঙ্গিত কৰা জনে দুখ দিয়ে; কিন্তু কথকি মুৰ্খলোক পতিত হয়। ১১ সত্যতাৰে চলা জনৰ মুখ জীৱনৰ ভুমুক স্বৰূপ; কিন্তু দুষ্টবোৰৰ মুখে অত্যাচাৰ লুকুৱাই ৰাখে। ১২ ঘৃণাই বিবাদ জন্মায়; কিন্তু প্ৰেমে সকলো অপৰাধ ঢাকে। ১৩ সুবিবেচক লোকৰ ওঁঠত প্ৰজ্ঞা পোৱা যায়; কিন্তু পিঠিত চেকনী জ্ঞানশূন্য লোকৰ বাবে হয়। ১৪ জ্ঞানীলোকে জ্ঞান সংৰক্ষিত কৰে; কিন্তু অজ্ঞানৰ মুখে ধ্বংস আনে। ১৫ ধনী লোকৰ ধন সম্পত্তিয়েই তাৰ দৃঢ় নগৰ; কিন্তু দৰিদ্ৰলোকৰ দৰিদ্ৰতাই তেওঁলোকৰ বিনাশৰ কাৰণ। ১৬ সত্যতাৰে কাৰ্য কৰা লোকৰ পাৰিশ্ৰমিকে জীৱন দিয়ে; দুষ্ট লোকৰ উপাৰ্জনৰ লাভে পাপলৈ ঠেলি দিয়ে। ১৭ যিজনে নিয়মানুবৰ্তিতাত চলে, তেওঁ জীৱনৰ পথত চলে; কিন্তু যিজনে অনুযোগ অমান্য কৰে, তেওঁ বিপথে যায়। ১৮ যিজনে ঘৃণা গোপনে ৰাখে, তেওঁ মিছলীয়া ওঁঠৰ লোক, আৰু যিজনে অপবাদ বিস্তাৰ কৰে, তেওঁ মূৰ্খ হয়। ১৯ অধিক কথাত অপৰাধৰ অভাৱ নাই; কিন্তু যিজনে কথা কওঁতে সাৱধান হয়, তেওঁ জ্ঞানী। ২০ যিজনে সত্যতাৰ কথা কয়, তেওঁৰ জিভা শুদ্ধ ৰূপৰ দৰে; দুষ্টৰ হৃদয়ত সামান্য মূল্য থাকে। ২১ সত্যতাৰে কাৰ্য কৰা লোকৰ ওঁঠে অনেকক প্ৰতিপালন কৰে; কিন্তু জ্ঞানশূন্যতাৰ বাবে মূৰ্খলোকৰ মৃত্যু হয়। ২২ যিহোৱাৰ আশীৰ্ব্বাদে ধনৱান কৰে, আৰু তেওঁ তাৰ সৈতে কোনো দুখ যোগ নকৰে। ২৩ দুষ্টতা মূৰ্খই খেলা খেল স্বৰূপ, কিন্তু প্ৰজ্ঞা সুবিবেচনা কৰা লোকৰ বাবে আনন্দদায়ক। ২৪ দুষ্ট লোকে যিহলৈ ভয় কৰে, সেয়ে তালৈ ঘটে; কিন্তু ধাৰ্মিকৰ বাঞ্ছা সিদ্ধ হয়। ২৫ দুষ্ট লোক ধুমুহাৰ দৰে, সেয়ে অতিক্ৰম কৰি বিলুপ্ত হৈ যায়, কিন্তু যিসকলে সত্যতাৰ কাৰ্য কৰে, তেওঁলোক চিৰস্থায়ী ভিত্তিমুলস্বৰূপ। ২৬ দাঁতৰ বাবে সিৰ্কা, আৰু চকুৰ বাবে ধোঁৱা যেনেকুৱা, পঠোৱা লোকসকলৰ বাবেও এলেহুৱা তেনেকুৱা। ২৭ যিহোৱালৈ থকা ভয়ে আয়ুস বৃদ্ধি কৰে; কিন্তু দুষ্টবোৰৰ বছৰবোৰ কমি যাব। ২৮ সৎ কাৰ্য কৰা জনৰ আশা আনন্দ জনক; কিন্তু দুষ্টবোৰৰ বছৰবোৰ কম হ'ব। ২৯ যিসকল

লোকে পথত চলে, তেওঁলোকক যিহোৱাই ৰক্ষা কৰে। কিন্তু দুষ্টলোকৰ
বাবে সেয়ে সৰ্ব্বনাশ স্বৰূপ। ৩০ যিসকলে সৎ কাৰ্য কৰে, তেওঁলোক
কেতিয়াও লৰচৰ নহব; কিন্তু দুষ্টলোক দেশত অৱশিষ্ট নাথাকিব। ৩১
যিসকল লোকে সৎ কাৰ্য কৰে, তেওঁলোকৰ মুখৰ পৰা প্ৰজ্ঞা ওলায়;
কিন্তু উচ্ছৃঙ্খল জিভা কাটি পেলোৱা হ'ব। ৩২ যিসকল লোক সকলৰ
ওঁঠে সৎ কাৰ্য কৰে, তেওঁলোকৰ ওঁঠে গ্ৰহণীয় কি, সেই বিষয়ে জানে;
কিন্তু দুষ্টলোকৰ মুখে উচ্ছৃঙ্খলতা কি সেই বিষয়ে জানে।

**১১** ভুল তুলাচনী যিহোৱাৰ ঘিণলগীয়া; কিন্তু সঠিক জোখ তেওঁৰ
সন্তোষ জনক। ২ যেতিয়া অহংকাৰ হয়, তেতিয়া অপমানো হয়; কিন্তু
নম্ৰতাই প্ৰজ্ঞা আনে। ৩ সাধুলোকৰ সততা তেওঁলোকৰ পথদৰ্শক;
কিন্তু বিশ্বাস-ঘাতকসকলৰ কুটিলতাই তেওঁলোকক বিনষ্ট কৰে।
৪ ক্ৰোধৰ দিনত ধন-সম্পত্তি মূল্যহীন; কিন্তু সত্যতাই মৃত্যুৰ পৰা
তোমাক উদ্ধাৰ কৰে। ৫ সিদ্ধলোকৰ ধাৰ্মিকতাই তেওঁৰ পথ সমান
কৰে; কিন্তু দুষ্টলোক নিজৰ দুষ্টতাৰ দ্বাৰাই পতিত হয়। ৬ যিজনে সিদ্ধ
কাৰ্যৰ দ্বাৰাই ঈশ্বৰক আনন্দিত কৰে, তেওঁ ৰক্ষা পায়; কিন্তু নিজৰ
আকাংক্ষাৰ বাবে বিশ্বাসঘাতক সকলে ফান্দত পৰে। ৭ দুষ্টলোকৰ
যেতিয়া মৃত্যু হয়, তেতিয়া তেওঁৰ আশাবোৰ বিলুপ্ত হৈ যায়; আৰু
আশা যি তেওঁৰ শক্তি আছিল, সেই শক্তি ব্যৰ্থ হৈ যায়। ৮ সৎ কাৰ্য
কৰা জনে সঙ্কটৰ পৰা ৰক্ষা পায়; কিন্তু ইয়াৰ পৰিৱৰ্তে দুষ্টলোকলৈ
সঙ্কট আহে। ৯ তেওঁ নিজৰ অবিশ্বাসী মুখেৰে চুবুৰীয়াক ধ্বংস কৰে;
কিন্তু জ্ঞানেৰে যিজনে সৎ কাৰ্য কৰে, তেওঁ সুৰক্ষিত হয়। ১০ যেতিয়া
সৎ কাৰ্য কৰা লোকৰ উন্নতি হয়, তেতিয়া নগৰখনে উল্লাস কৰে; কিন্তু
যেতিয়া দুষ্টলোকৰ বিনাশ ঘটে, তেতিয়া আনন্দ-ধ্বনি হয়। ১১ ঈশ্বৰক
সন্তুষ্ট কৰা লোকসকলৰ আশীৰ্ব্বাদৰ দ্বাৰাই নগৰৰ উন্নতি হয়; কিন্তু
দুষ্টলোকৰ মুখৰ দ্বাৰাই নগৰ উচ্ছন্ন হয়। ১২ বন্ধুক অবজ্ঞা কৰা লোক
জ্ঞানশূন্য; কিন্তু সুবিবেচনা কৰা লোক নিমাতে থাকে। ১৩ পৰচৰ্চ্চা
কৰা লোকে গুপুত কথা প্ৰকাশ কৰে; কিন্তু বিশ্বাসী লোকে বিষয়বোৰ
গুপুতে ৰাখে। ১৪ যি খন দেশ জ্ঞানেৰে পৰিচালিত নহয়, সেই দেশৰ
পতন হয়; কিন্তু বহুত উপদেষ্টাৰ আলোচনাৰ দ্বাৰাই দেশৰ উন্নতি হয়।

১৫ যিজনে অচিনাকী লোকৰ জামিন হয়, তেওঁৰ নিশ্চয় অনিষ্ট হ'ব;
কিন্তু যিজনে জামিন হ'বলৈ ইচ্ছা নকৰে, তেওঁ নিৰাপদে থাকে। ১৬
দয়ালু মহিলাই সন্মান পায়; কিন্তু নির্দয় লোকে সম্পত্তিক ধৰি ৰাখে।
১৭ দয়ালু লোকে নিজৰ উপকাৰ কৰে; কিন্তু নির্দয় লোকে নিজৰ অনিষ্ট
কৰে। ১৮ দুষ্টলোকে উপার্জনৰ বাবে মিছা কথা কয়; কিন্তু যি জনে
সত্যৰ গুটি সিঁচে তেওঁ প্ৰকৃত পুৰস্কাৰ পায়। ১৯ যি সাধুলোকে সৎ কার্য
কৰে, তেওঁ জীৱন লাভ কৰে; কিন্তু যিলোকে দুষ্টতা অনুসৰণ কৰে,
তেওঁৰ মৃত্যুৰ হ'ব। ২০ কুটিল মনৰ লোক যিহোৱাৰ ঘিণ লগা; কিন্তু
যিসকলৰ আচৰণ সিদ্ধ, তেওঁলোকত তেওঁ আনন্দ পায়। ২১ নিশ্চিত
হোৱা যে, দুষ্ট লোকে শাস্তি নোপোৱাকৈ নাথাকিব; কিন্তু সত্যতাত
চলা লোকসকলৰ বংশই উদ্ধাৰ পাব। ২২ গাহৰিৰ নাকত সোণৰ নথ
যেনে, সুবিবেচনা নথকা সুন্দৰী মহিলাও তেনে। ২৩ সত্যতাত চলা
লোকৰ আকাংক্ষাৰ ফল উত্তম; কিন্তু দুষ্টলোকে কেৱল ক্ৰোধৰ আশা
কৰে। ২৪ যি লোকে গুটি সিঁচে, তেওঁ অধিক সংগ্ৰহ কৰে; আৰু যি
লোকে গুটি নিসিঁচে, তেনে লোকলৈ দৰিদ্ৰতাহে আহে। ২৫ দয়ালু
লোকৰ উন্নতি হয়, আৰু যি লোকে আনলোকক পানী দিয়ে, তেওঁ
নিজৰ বাবেও পানী পায়। ২৬ যি লোকে শস্য বিক্ৰী কৰিবলৈ অমান্তি
হয়, তেওঁক লোকসকলে শাও দিয়ে; কিন্তু যি লোকে বিক্ৰী কৰে, তেওঁ
মুৰত মুকুট স্বৰূপ আশীৰ্ব্বাদ লাভ কৰে। ২৭ যিলোকে আগ্ৰহেৰে ভাল
কৰিবলৈ বিচাৰে, তেওঁ অনুগ্ৰহো বিচাৰে; কিন্তু যি জনে দুষ্টতা বিচাৰে,
তেওঁ তাকে পায়। ২৮ যিজনে নিজৰ ধন-সম্পত্তিত নির্ভৰ কৰে, তেওঁ
পতিত হয়; কিন্তু সত্যতাত চলা জন পাতৰ দৰে লহপহকৈ বাঢ়ি উঠে।
২৯ যিজনে নিজৰ পৰিয়ালক দুখ দিয়ে, তেওঁৰ বায়ুৰূপ আধিপত্য
হ'ব; আৰু অজ্ঞানী লোক বুদ্ধিমানৰ দাস হ'ব। ৩০ সত্যতাত চলা
জন জীৱনদায়ক গছৰ দৰে, কিন্তু হিংস্ৰতাই জীৱন কাঢ়ি নিয়ে। ৩১
সত্যতাত চলা জনে যদি তেওঁ পাবলগীয়া প্ৰতিফল পায়, তেনেহ'লে
কিমান অধিক পৰিমাণে দুষ্টলোক আৰু পাপীয়ে পাব।

**১২** যি জনে অনুশাসন ভাল পায়, তেওঁ জ্ঞানকো ভাল পায়; কিন্তু যি
জনে অনুযোগ ঘিণ কৰে, তেওঁ নির্বোধ। ২ শুদ্ধ লোকে যিহোৱাৰ

পৰা অনুগ্ৰহ পায়; কিন্তু যিজনে দুষ্ট কৰ্মৰ পৰিকল্পনা কৰে, তেওঁক দোষাৰোপ কৰা হয়। ৩ কোনো লোক দুষ্টতাৰ দ্বাৰাই সংস্থাপিত নহয়; কিন্তু সত্যতাত চলা জনৰ মূল লৰচৰ নহব। ৪ গুণৱতী ভাৰ্যা স্বামীৰ মুকুটৰ দৰে; কিন্তু লাজ দিওঁতা মহিলাৰ অস্থি ক্ষয়কাৰী ৰোগ যেন হয়। ৫ সত্যতাত চলা জনৰ পৰিকল্পনা ন্যায় হয়; কিন্তু দুষ্টলোকৰ উপদেশ প্ৰতাৰণাপূৰ্ণ। ৬ দুষ্টলোকৰ কথাবোৰ ৰক্তপাত কৰিবলৈ খাপ দিয়াৰ দৰে হয়; কিন্তু ন্যায় কৰাসকলৰ কথাই তেওঁলোকক সুৰক্ষিত কৰে। ৭ দুষ্টলোকক বিনষ্ট কৰা হয় আৰু তেওঁলোক নাইকিয়া হয়; কিন্তু যিসকল লোকে সত্যতাত চলে, তেওঁলোকৰ ঘৰ থিৰে থাকে। ৮ মানুহে নিজৰ প্ৰজ্ঞা অনুসাৰে প্ৰশংসা পায়; কিন্তু কুটিল কাৰ্য কৰা লোক ঘৃণনীয় হয়। ৯ গুৰুত্বহীন পদত থকাতকৈ কেৱল দাস হোৱাই ভাল; খাবলৈ নাই কিন্তু নিজৰ গুৰুত্বকলৈ অহংকাৰ কৰে। ১০ যিজনে সত্যতাত চলে, তেওঁ নিজৰ পশুৰ প্ৰয়োজনীয়তালৈ যত্ন কৰে; কিন্তু দুষ্টলোকৰ সহানুভূতি নিষ্ঠুৰতাযুক্ত। ১১ যিজনে নিজৰ মাটিত চহায়, তেওঁ জোৰাওকৈ আহাৰ পায়; কিন্তু যিজনে মূল্যহীন অভিপ্ৰায়ৰ অনুগামী হয়, তেওঁ জ্ঞানশূন্য। ১২ দুষ্টলোকে আনৰ পৰা চুৰ কৰা বস্তুৰ প্ৰতি পাপীলোকে আকাংক্ষা কৰে; কিন্তু সত্যতাত চলা জনৰ ফল নিজৰ পৰাই আহে। ১৩ পাপী জনক তেওঁৰ কুকথাই ফান্দত পেলাই; কিন্তু সত্যতাত চলাজন সঙ্কটৰ পৰা ৰক্ষা পায়। ১৪ মানুহে নিজৰ কথাৰ ফলৰ দ্বাৰাই ভাল বিষয়ত পৰিপূৰ্ণ হয়; তেওঁ নিজৰ হাতেৰে কৰা কামৰ দ্বাৰাই পুৰস্কাৰ পায়। ১৫ অজ্ঞানীৰ পথ তেওঁৰ নিজৰ দৃষ্টিত শুদ্ধ; কিন্তু জ্ঞানীজনে পৰামৰ্শ শুনে। ১৬ অজ্ঞানীয়ে খন্তেকতে খং দেখুৱাই; কিন্তু যিজনে অপমান অৱজ্ঞা কৰে, তেওঁ দূৰদৰ্শী হয়। ১৭ যিজন সত্যবাদী, তেওঁ ন্যায় কথা কয়; কিন্তু মিছা সাক্ষীয়ে মিছা কথাহে কয়। ১৮ যিজনে বিবেচনা নকৰি তৎক্ষণাত কথা কয়, তেওঁ তৰোৱালৰ আঘাতৰ দৰে; কিন্তু জ্ঞানী লোকৰ জিভাই সুস্থতা আনে। ১৯ সত্যবাদী ওঁঠ চিৰকাললৈকে থাকে; কিন্তু মিছা কোৱা জিভা ক্ষন্তেকীয়া। ২০ কুকল্পনা কৰা সকলৰ মনত প্ৰতাৰণা থাকে; কিন্তু শান্তিৰ পৰামৰ্শ দিয়া সকলৰ আনন্দ হয়। ২১ সত্যতাত

চলা জনলৈ কোনো ৰোগ নাহে; কিন্তু দুষ্টলোক সমস্যাৰে পৰিপূৰ্ণ হয়। ২২ মিছা কোৱা ওঁঠ যিহোৱাৰ ঘিণলগীয়া; কিন্তু সত্য আচৰণ কৰাসকলে তেওঁক আনন্দিত কৰে। ২৩ দূৰদৰ্শী লোকে জ্ঞান গুপুতে ৰাখে; কিন্তু অজ্ঞানীৰ মনে নিৰ্বুদ্ধিতা প্ৰকাশ কৰে। ২৪ পৰিশ্ৰমীসকলৰ হাতে শাসন কৰিবলৈ পাব; কিন্তু এলেহুৱা লোকক বাধ্যতাৰে পৰিশ্ৰম কৰিব দিয়া হ'ব। ২৫ মানুহৰ মনৰ দুচিন্তাই তেওঁৰ মূল্য কম কৰে; কিন্তু ভাল কথাই তেওঁক আনন্দিত কৰে। ২৬ সত্যতাত চলা জন তেওঁৰ বন্ধুৰ পথ দৰ্শক হয়; কিন্তু দুষ্টলোকৰ পথে তেওঁলোকক বিপথে নিয়ে। ২৭ এলেহুৱাই নিজে ধৰা চিকাৰ নাৰান্ধে; কিন্তু পৰিশ্ৰমী লোকে মূল্যবান সম্পত্তি লাভ কৰে। ২৮ যিসকলে সজ পথত চলে, তেওঁলোকে জীৱন পায়; আৰু এই পথত মৃত্যু নাই।

**১৩** জ্ঞানৱান সন্তানে নিজৰ পিতৃৰ কথা শুনে; কিন্তু নিন্দকে অনুযোগ নুশুনে। ২ মানুহে নিজৰ মুখৰ ফলৰ দ্বাৰাই মঙ্গল ভোগ কৰে; কিন্তু বিশ্বাসঘাতকে অত্যাচাৰলৈ অভিলাষ কৰে। ৩ যিজনে নিজৰ মুখ চম্ভালে, তেওঁ নিজৰ প্ৰাণ ৰক্ষা কৰে; কিন্তু যিজনে মুখ বহলকৈ মেলে, তেওঁৰ সৰ্ব্বনাশ হয়। ৪ এলেহুৱাই ইচ্ছা কৰিলেও একো নাপায়; কিন্তু পৰিশ্ৰমীজনে ইচ্ছা কৰিলে সম্পূৰ্ণভাৱে সন্তুষ্ট হয়। ৫ সত্যতাত চলাজনে মিছা কথা ঘিণ কৰে; কিন্তু দুষ্টলোকে নিজকে বিৰক্ত কৰে আৰু তেওঁ লজ্জাজনক কাৰ্য কৰে। ৬ যেতিয়া এজন লোকে সত্যতাত চলে, তেওঁ ন্যায়ৰ পথ সুৰক্ষিত কৰে। কিন্তু দুষ্ট লোকসকল তেওঁলোকৰ পাপৰ কাৰণে বিনষ্ট হয়। ৭ এনে লোক আছে, যিয়ে নিজকে ধনী দেখুৱাই, কিন্তু তেওঁৰ একো নাথাকে; আৰু এনে লোকো আছে যি সকলো দান কৰে, তথাপি তেওঁ প্ৰকৃততেই ধনৱান। ৮ এজন ধনী লোকে নিজৰ সম্পত্তিৰ দ্বাৰাই নিজৰ জীৱনৰ প্ৰায়শ্চিত কৰিব পাৰে, কিন্তু এজন দুখীয়া তেনেধৰণৰ ভীতিপ্ৰদৰ্শনৰ সন্মুখীন নহয়। ৯ যিজনে সত্যতাত চলে, তেওঁৰ প্ৰদীপ প্ৰজ্বলিত হৈ থাকে; কিন্তু দুষ্টলোকৰ চাকি নুমাই যাব। ১০ অহঙ্কাৰে কেৱল বিবাদ জন্মায়; কিন্তু যিসকলে সুপৰামৰ্শ শুনে, তেওঁলোকৰ লগত প্ৰজ্ঞা থাকে। ১১ অধিক অহঙ্কাৰে সম্পত্তি হ্ৰাস কৰে; কিন্তু যি জনে পৰিশ্ৰমেৰে ধন উপাৰ্জন

কৰে, তেওঁৰ ধন বৃদ্ধি হয়। ১২ যেতিয়া আশা সিদ্ধ হ'বলৈ পলম হয়,
তেতিয়া হৃদয় ভাগি পৰে; কিন্তু আকাংক্ষা সিদ্ধ হোৱাই জীৱনৰ বৃক্ষৰ
দৰে। ১৩ যি জনে নির্দেশ অবজ্ঞা কৰে, তেওঁ তাৰ আলোচনাৰ বিষয়
হ'ব; কিন্তু যি জনে আজ্ঞা সন্মান কৰে, তেওঁ পুৰস্কাৰ পায়। ১৪ জ্ঞানী
লোকৰ শিক্ষা জীৱনৰ ভুমুকস্বৰূপ হয়। মৃত্যু ফান্দৰ পৰা তোমাক
আঁতৰাই ৰাখিব। ১৫ ভাল অন্তদৃষ্টিয়ে অনুগ্ৰহ জয় কৰে; কিন্তু বিশ্বাস-
ঘাতকসকলৰ পথ দুৰ্গম। ১৬ জ্ঞানে প্ৰতিটো সিদ্ধান্ত লওঁতে সুবিবেচনা
কৰে; কিন্তু অজ্ঞানী লোকে মুৰ্খতা বিস্তাৰ কৰে। ১৭ দুষ্ট বৰ্ত্তাবাহক
সমস্যাত পৰে; কিন্তু এজন বিশ্বাসী দূতে পুনৰ মিলন কৰায়। ১৮ যি
জনে নিয়মানুৱৰ্তিতা অগ্ৰাহ্য কৰে, তেওঁ দৰিদ্ৰ হয় আৰু লাজত পৰে;
কিন্তু যি জনে শুধৰণিৰ পৰা শিক্ষা গ্ৰহণ কৰে, তেওঁ সন্মান পায়। ১৯
বাঞ্ছা সিদ্ধিয়ে আত্মা সন্তুষ্টি দিয়ে; কিন্তু অজ্ঞানীলোকে বেয়াৰ পৰা
আঁতৰি আহিবলৈ ইচ্ছা নকৰে। ২০ জ্ঞানীলোকৰ সঙ্গত থাকা, তাতে
তুমিও জ্ঞানী হবা; কিন্তু অজ্ঞানীলোকৰ সঙ্গীয়ে কষ্ট ভোগ কৰিব। ২১
দুৰ্যোগে পাপীৰ পাছত দৌৰ মাৰে; কিন্তু যিসকলে সত্যতাত চলে,
তেওঁলোকে উত্তম পুৰস্কাৰ পায়। ২২ ভাল ব্যক্তিয়ে নিজৰ নাতি-
নাতিনীয়েকৰ বাবে উত্তৰাধিকাৰ এৰি যায়; কিন্তু পাপীৰ ধন সম্পত্তি
সত্যতাত চলাজনৰ বাবে সংৰক্ষিত হয়। ২৩ দুখীয়াসকলে নতুন
মাটিত চহালে বহুতো শস্য উৎপন্ন হয়; কিন্তু অন্যায়ৰ দ্বাৰাই ই নষ্ট
হয়। ২৪ যি জনে নিজৰ সন্তানক নিয়মানুৱৰ্তিতাত নচলায়, তেওঁ
তাক ঘিণ কৰে, কিন্তু যিজনে তাক প্ৰেম কৰে, তেওঁ উচিত সময়ত
তাক শাস্তিও দিয়ে। ২৫ যিসকলে সত্যতাত চলে, তেওঁলোকে হেঁপাহ
পলোৱাকৈ আহাৰ খায়; কিন্তু দুষ্টলোক সদায় ভোকত থাকে।

**১৪** জ্ঞানৱতী মহিলাই নিজৰ ঘৰ নিৰ্মাণ কৰে; কিন্তু অজ্ঞানী মহিলাই
নিজৰ হাতেৰে তাক ভাঙি পেলায়। ২ যি জনে সৰল পথত চলে, তেওঁ
যিহোৱাক ভয় কৰে; কিন্তু যি জনে নিজৰ পথত সত্যতাৰে নচলে
সেইজনে তেওঁক হেয়জ্ঞান কৰে। ৩ অজ্ঞানীলোকৰ মুখৰ পৰা তেওঁৰ
অহঙ্কাৰৰ অঙ্কুৰ ওলাই; কিন্তু জ্ঞানীলোকৰ ওঁঠে সেইবোৰ সংৰক্ষিত
কৰে। ৪ য'ত গৰু নাথাকে তাত দানা পাত্ৰ নিকা হৈ থাকে; কিন্তু ষাঁড়

গৰুৰ বলেৰে অধিক শস্য উৎপন্ন হয়। ৫ বিশ্বাসী সাক্ষীয়ে মিছা কথা নকয়; কিন্তু মিছা সাক্ষীয়ে মিছা কথাকেহে কয়। ৬ নিন্দক লোকে প্ৰজ্ঞা বিচাৰিলে তাক নাপায়; কিন্তু বুদ্ধিমানৰ পক্ষে জ্ঞান সুলভ হয়। ৭ অজ্ঞানী লোকৰ পৰা আঁতৰি থাকা; কাৰণ তেওঁৰ মুখত জ্ঞানৰ কথা বিচাৰি নাপাবা। ৮ নিজৰ পথ বুজি পোৱাই দূৰদৰ্শীসকলৰ প্ৰজ্ঞা; কিন্তু অজ্ঞানীলোকৰ অজ্ঞানতাই প্ৰবঞ্চনা মাথোন। ৯ দোষাৰ্থক বলি উৎসৰ্গ কৰোঁতে অজ্ঞানীলোকে নিন্দা কৰে; কিন্তু ন্যায়পৰায়ণ লোকৰ মাজত অনুগ্ৰহ থাকে। ১০ হৃদয়ে নিজৰ বেদনা নিজে বুজি পায়; কিন্তু অচিনাকী লোকে সেই আনন্দত ভাগ ল'ব নোৱাৰে। ১১ দুষ্টলোকৰ ঘৰ ধ্বংস কৰা হ'ব; কিন্তু ন্যায়পৰায়ণ লোকৰ তম্বু মঙ্গলে থাকিব। ১২ কোনো কোনো পথ মানুহৰ দৃষ্টিত সৰল বোধ হয়; কিন্তু শেষত সেয়ে মৃত্যুৰ পথ। ১৩ দুখৰ সময়তো হৃদয়ে হাঁহিব পাৰে, আৰু আনন্দ শেষত দুখলৈ পৰিণত হ'ব পাৰে। ১৪ যি জন অবিশ্বাসী, তেওঁ নিজৰ আচৰণৰ ফল ভোগ কৰিব; কিন্তু ভাল লোকে তেওঁৰ যি আছে তাকেই পাব। ১৫ যি জন শিক্ষিত নহয়, তেওঁ সকলো বিশ্বাস কৰে; কিন্তু দূৰদৰ্শী লোকে নিজৰ খোজ চিন্তা কৰে। ১৬ জ্ঞানী লোকে ভয় কৰে আৰু বেয়াৰ পৰা আঁতৰি থাকে; কিন্তু অজ্ঞান লোকে দৃঢ়তাৰে সাৱধান বাণী অৱজ্ঞা কৰে। ১৭ ক্ষন্তেকতে খং উঠা লোকে অজ্ঞানীৰ দৰে কাম কৰে; আৰু যিজনে কু-কল্পনা কৰে তেওঁ ঘৃণনীয় হয়। ১৮ অশিক্ষিত লোকৰ মুৰ্খতা বংশানুক্ৰমে থাকে; কিন্তু দূৰদৰ্শী লোকসকল জ্ঞানেৰে পৰিপূৰ্ণ। ১৯ যিসকল পাপী, তেওঁলোকে সৎ লোকৰ আগত প্ৰণিপাত কৰে; আৰু যিসকল দুষ্ট তেওঁলোকে ধাৰ্মিকলোকৰ দুৱাৰ ডলিত প্ৰণিপাত কৰে। ২০ দৰিদ্ৰ লোকক তেওঁলোকৰ নিজৰ সঙ্গীয়েই ঘৃণা কৰে; কিন্তু ধনী লোকৰ অনেক বন্ধু থাকে। ২১ যি জনে চুবুৰীয়াক হেয়জ্ঞান কৰে, তেওঁ পাপ কৰে; কিন্তু যি জনে দৰিদ্ৰ লোকক দয়া কৰে, তেওঁ অনন্দিত হয়। ২২ যি সকলে বেয়া পৰিকল্পনা কৰে, তেওঁলোক জানো বিপথগামী নহয়? কিন্তু যি সকলে মঙ্গল কল্পনা কৰে, তেওঁলোক বিশ্বস্ততা আৰু বিশ্বাসযোগ্য চুক্তি গ্ৰহণ কৰিব। ২৩ সকলো কঠিন পৰিশ্ৰমৰ দ্বাৰাই লাভ হয়; কিন্তু যেতিয়া কেৱল আলোচনা হয়, তেতিয়া দৰিদ্ৰতালৈ

আগবাঢ়ি যায়। ২৪ জ্ঞানী লোকসকলৰ সম্পত্তি তেওঁলোকৰ মুকুট;
কিন্তু অজ্ঞানীৰ মূৰ্খতাই কেৱল অধিক মূৰ্খতাহে আনে। ২৫ সত্যবাদী
সাক্ষীয়ে জীৱন ৰক্ষা কৰে; কিন্তু মিছা সাক্ষীয়ে মিছা কথা কয়। ২৬
যিহোৱাক ভয় কৰাই দৃঢ়-বিশ্বাস, আৰু এয়ে তেওঁৰ সন্তান সকলৰ
বাবে আশ্ৰয় স্থল হ'ব। ২৭ যিহোৱালৈ ভয় ৰখাই জীৱনৰ ভুমুক-স্বৰূপ,
ইয়াৰে কোনো এজনে মৃত্যুৰ ফান্দৰ পৰা আঁতৰি থাকিব পাৰিব। ২৮
ৰজাৰ গৌৰৱ অধিক সংখ্যক প্ৰজাত বিচাৰি পোৱা যায়; কিন্তু প্ৰজা
অবিহনে ৰজা ধ্বংস হয়। ২৯ ধৈৰ্যশীল লোকৰ বিবেচনা শক্তি অধিক;
কিন্তু বেগাই খং উঠা লোকে নিজৰ মুৰ্খতা প্ৰকাশ কৰে। ৩০ শান্ত
হৃদয় শৰীৰৰ বাবে জীৱন স্বৰূপ; কিন্তু ঈৰ্ষা হাড়ৰ ক্ষয়স্বৰূপ। ৩১ যি
লোকে দৰিদ্ৰক অত্যাচাৰ কৰে, তেওঁ নিজৰ সৃষ্টিকৰ্ত্তাক শাও দিয়ে;
কিন্তু যি জনে অভাৱীলোকক দয়া কৰে, তেওঁ তেওঁক সন্মান কৰে।
৩২ দুষ্ট লোক নিজৰ কু-কৰ্মৰ দ্বাৰাই পতিত হয়; কিন্তু ধাৰ্মিক লোকে
মৃত্যুতো আশ্ৰয় পায়। ৩৩ প্ৰজ্ঞা হৃদয়ৰ সক্ষ্মদৰ্শীতাত প্ৰতিষ্ঠিত হয়;
কিন্তু অজ্ঞানীলোক সকলৰ মাজতো তেওঁ নিজকে প্ৰকাশ কৰে। ৩৪
সৎ কাৰ্য কৰা দ্বাৰাই দেশৰ উন্নতি হয়; কিন্তু পাপ যি কোনো লোকৰ
বাবে কলঙ্কস্বৰূপ। ৩৫ জ্ঞানেৰে কাৰ্য কৰা দাসলৈ ৰজাৰ অনুগ্ৰহ
থাকে; কিন্তু লজ্জাজনক কাম কৰা দাসলৈ তেওঁৰ ক্ৰোধ জন্মে।
**১৫** মৃদু উত্তৰে ক্ৰোধ ক্ষান্ত কৰে; কিন্তু কঠোৰ কথাই খং তোলে।
২ জ্ঞানীলোকৰ জিভাই জ্ঞানৰ প্ৰশংসা কৰে; কিন্তু অজ্ঞানীৰ মুখে
অজ্ঞানতাৰ কথা কয়। ৩ যিহোৱাৰ দৃষ্টি সকলো ঠাইতে থাকে, ভাল
আৰু বেয়াৰ ওপৰত তেওঁৰ দৃষ্টি থাকে। ৪ সুস্থ জিভা জীৱন বৃক্ষস্বৰূপ;
কিন্তু প্ৰতাৰণাপূৰ্ণ জিভাই আত্মাক গুৰি কৰে। ৫ অজ্ঞানী লোকে নিজৰ
পিতৃৰ নিয়মানুৱৰ্তিতা অৱজ্ঞা কৰে; কিন্তু যি জনে শুধৰণিৰ পৰা শিক্ষা
লয়, তেওঁ দূৰদৰ্শী। ৬ যি সকলে সত্যতাত চলে, তেওঁলোকৰ ভঁৰাল
বৃহৎ হয়; কিন্তু দুষ্ট সকলৰ উপাৰ্জনে তেওঁলোকক সমস্যাত পেলায়।
৭ জ্ঞানী লোকৰ ওঁঠে জ্ঞানৰ বিষয়ে কয়, কিন্তু অজ্ঞানী লোকৰ হৃদয়ে
সেইদৰে নকৰে। ৮ দুষ্ট সকলৰ বলিদান যিহোৱাই ঘিণ কৰে; কিন্তু
ন্যায়পৰায়ণ লোকৰ প্ৰাৰ্থনাত তেওঁ আনন্দিত হয়। ৯ দুষ্ট লোকৰ পথ

যিহোৱাই ঘিণ কৰে; কিন্তু সত্যতাক অনুসৰণ কৰা জনক তেওঁ প্ৰেম কৰে। ১০ যিজনে সৎ পথ ত্যাগ কৰে, তেওঁলৈ কঠিন শাস্তি থাকে; আৰু যিজনে অনুযোগ ঘিণ কৰে তেওঁৰ মৃত্যু হ'ব। ১১ চিয়োল আৰু বিনাশ যিহোৱাৰ দৃষ্টিত লুকাই থকা নাই; তেনেহ'লে কিমান অধিক পৰিমাণে মনুষ্য সন্তান সকলৰ হৃদয় তেওঁৰ দৃষ্টিত থাকে। **(Sheol h7585)** ১২ নিন্দক লোকে অনুযোগত বিৰক্তি পায়; তেওঁ জ্ঞানী লোকৰ ওচৰলৈ নাযায়। ১৩ আনন্দিত হৃদয়ে মুখমণ্ডলক প্ৰফুল্লিত কৰে; কিন্তু মানসিক যন্ত্ৰণাই আত্মা ভাঙি দিয়ে। ১৪ সুবিবেচকৰ হৃদয়ে জ্ঞান বিচাৰ কৰে; কিন্তু অজ্ঞানী লোকৰ মুখে অজ্ঞানতা গ্ৰহণ কৰে। ১৫ নিৰ্যাতিত লোকৰ সকলো দিন কষ্টদায়ক; কিন্তু প্ৰফুল্লিত হৃদয়ৰ ভোজ চিৰস্থায়ী। ১৬ বিভ্ৰান্তিৰ সৈতে বৃহৎ ভঁৰালতকৈ যিহোৱালৈ ভয় কৰি ৰখা অলপেই ভাল। ১৭ হিংসাৰ সৈতে স্বাস্থ্যৱান গৰুতকৈ প্ৰেমেৰে সৈতে শাক-পাচলি ভোজন কৰাই ভাল। ১৮ ক্ৰোধি লোকে বিতৰ্কৰ সৃষ্টি কৰে; কিন্তু ক্ৰোধত ধীৰ লোকে বিবাদ ক্ষান্ত কৰে। ১৯ এলেহুৱাৰ পথ কাঁইটৰ বেৰা স্বৰূপ; কিন্তু ন্যায়পৰায়ণৰ পথ ৰাজপথ স্বৰূপ। ২০ জ্ঞানৱান পুত্ৰই পিতৃক আনন্দিত কৰে; কিন্তু অজ্ঞানলোকে নিজ মাতৃক অবজ্ঞা কৰে। ২১ জ্ঞানশূন্যজনক অজ্ঞান জনে আনন্দ দিয়ে; কিন্তু যি জন বিবেচক, তেওঁ সৰল পথত চলে। ২২ পৰামৰ্শৰ অবিহনে কৰা পৰিকল্পনা ব্যৰ্থ হয়; কিন্তু বহু লোকৰ পৰামৰ্শত সেয়ে সিদ্ধ হয়। ২৩ মানুহে নিজৰ উপযুক্ত উত্তৰত আনন্দ পায়, আৰু উচিত সময়ত কোৱা বাক্য কেনে ভাল। ২৪ দূৰদৰ্শী লোকৰ বাবে জীৱনৰ পথ উৰ্দ্ধগামী হয়; যাতে তলত থকা চিয়োলৰ পৰা তেওঁ আতৰিব পাৰে। **(Sheol h7585)** ২৫ যিহোৱাই অহঙ্কাৰীলোকৰ উত্তৰাধিকাৰী উচ্ছন্ন কৰে, কিন্তু তেওঁ বিধৱা লোকৰ সম্পত্তি সুৰক্ষিত কৰে। ২৬ যিহোৱাই দুষ্ট লোকৰ কল্পনা ঘিণ কৰে; কিন্তু দয়াশীলৰ বাক্যবোৰ নিৰ্মল। ২৭ ডকাইতে নিজৰ পৰিয়াললৈ সমস্যা আনে; কিন্তু ভেঁটি ঘিণ কৰা জন কুশলে থাকে। ২৮ সত্যতাত চলা জনৰ হৃদয়ে উত্তৰ দিয়াৰ পূৰ্বেই চিন্তা কৰে; কিন্তু দুষ্টলোকৰ মুখেৰে সকলো বেয়া কথা বাহিৰ হয়। ২৯ যিহোৱা দুষ্টলোকৰ পৰা দূৰত থাকে; কিন্তু সত্যতাত চলাজনৰ প্ৰাৰ্থনা শুনে।

৩০ চকুৰ প্ৰসন্নতাই হৃদয়ক আনন্দিত কৰে; আৰু শুভবাৰ্ত্তাই শৰীৰক
স্বাস্থ্যৱান কৰে। ৩১ যেতিয়া কোনো এজনে তোমাৰ আচৰণ শুধৰাই
দিয়ে আৰু যদি তুমি মনোযোগ দিয়া, তেতিয়া তুমি জ্ঞানীসকলৰ
মাজত গণ্য হবা। ৩২ যিজনে নিয়মানুবৰ্তিতা অগ্ৰাহ্য কৰে, তেওঁ
নিজকে হেয়জ্ঞান কৰে; কিন্তু যি জনে অনুযোগ শুনে, তেওঁ সুবিবেচনা
লাভ কৰে। ৩৩ যিহোৱালৈ ৰখা ভয়ে প্ৰজ্ঞাৰ শিক্ষা দিয়ে, আৰু নম্ৰতা
সন্মানৰ আগত আহে।

**১৬** মনৰ কল্পনা মানুহৰ; কিন্তু জিভাৰ উত্তৰ যিহোৱাৰ পৰা আহে।
২ মানুহৰ সকলো পথ নিজৰ দৃষ্টিত শুদ্ধ; কিন্তু যিহোৱাই আত্মাবোৰ
পৰীক্ষা কৰে। ৩ তোমাৰ কাৰ্যৰ ভাৰ যিহোৱাত সমৰ্পণ কৰা; তাতে
তোমাৰ অভিপ্ৰায় সিদ্ধ হ'ব। ৪ যিহোৱাই সেই উদ্দেশ্যে সকলোকে
সৃষ্টি কৰিলে; এনে কি, তেওঁ দুষ্টলোককো দুৰ্দ্দশা-দিনৰ বাবে সৃষ্টি
কৰিলে। ৫ অহংকাৰী হৃদয়ৰ প্ৰত্যেক লোকক যিহোৱাই ঘিণ কৰে;
যদিও তেওঁলোকে হাতত ধৰাধৰিকৈ থাকে, তথাপিও তেওঁলোকে
দণ্ড নোপোৱাকৈ নাথাকিব। ৬ বিশ্বাসযোগ্য আৰু নিৰ্ভৰযোগ্য চুক্তিৰ
দ্বাৰাই অপৰাধৰ প্ৰায়শ্চিত্ত হয়, আৰু যিহোৱালৈ ৰখা ভয়ৰ দ্বাৰাই
মানুহ বেয়াৰ পৰা আঁতৰি আহে। ৭ যেতিয়া কোনো লোকৰ আচৰণে
যিহোৱাক সন্তুষ্ট কৰে, তেতিয়া তেওঁ সেই জনৰ শত্ৰুসকলকো তেওঁৰ
লগত শান্তিত থাকিব দিয়ে। ৮ অন্যায়েৰে সৈতে অধিক আয়তকৈ
ন্যায়েৰে সৈতে অলপেই ভাল। ৯ মানুহে হৃদয়ত নিজৰ পথৰ বিষয়ে
পৰিকল্পনা কৰে; কিন্তু যিহোৱাই তেওঁৰ ভৰিৰ খোজ নিৰূপণ কৰে।
১০ ৰজাৰ ওঁঠত ঈশ্বৰীয় বাক্য থাকে; বিচাৰত তেওঁৰ মুখে অন্যায়ৰ
কথা নকয়। ১১ সঠিক তুলাচনী যিহোৱাৰ পৰা আহে; আৰু মোনাত
থকা সকলোবোৰ দগা তেওঁৰেই সৃষ্টি। ১২ যেতিয়া ৰজাই বেয়া কৰ্ম
কৰে, তেতিয়া কিছুমান অবজ্ঞা কৰিবলগীয়া বিষয় হয়, কাৰণ তেওঁৰ
সিংহাসন সৎ কাৰ্য কৰাৰ দ্বাৰাই স্থাপন কৰা হৈছে। ১৩ ন্যায় কথা
কোৱা ওঁঠে ৰজাক আনন্দিত কৰে; আৰু তেওঁ পোনপটীয়াকৈ কথা
কোৱা লোকক ভাল পায়। ১৪ ৰজাৰ ক্ৰোধ মৃত্যুৰ বাৰ্ত্তাবাহক স্বৰূপ;
কিন্তু জ্ঞানী লোকে তেওঁৰ ক্ৰোধ শান্ত কৰিবলৈ চেষ্টা কৰে। ১৫ ৰজাৰ

মুখমণ্ডলৰ উজ্জলতা জীৱন স্বৰূপ, আৰু তেওঁৰ অনুগ্ৰহ বসন্ত কালৰ বৰষুণৰ মেঘৰ দৰে। ১৬ সোণতকৈ প্ৰজ্ঞা লাভ কৰা কেনে উত্তম! আৰু সুবিবেচনা নিৰ্বাচন কৰা ৰূপতকৈ কেনে উত্তম। ১৭ ন্যায়পৰায়ণ লোকৰ ৰাজপথ পাপৰ পৰা আঁতৰি থাকে; যি জনে নিজৰ জীৱন সুৰক্ষিত কৰে, তেওঁ নিজৰ পথৰ তত্ত্বাৱধান কৰে। ১৮ বিনাশৰ আগত অহংকাৰ আহে, আৰু পতনৰ পূৰ্বতে মনৰ গৰ্ব্ব হয়। ১৯ অহংকাৰী সকলৰ সৈতে লুটদ্ৰব্য ভাগ কৰি লোৱাতকৈ, দৰিদ্ৰ সকলৰ সৈতে নম্ৰ হোৱাই ভাল। ২০ যিসকলে শিক্ষা লাভ কৰি অনুশীলন কৰে, তেওঁলোকে মঙ্গল বিচাৰি পায়; আৰু যি সকলে যিহোৱাত নিৰ্ভৰ কৰে, তেওঁলোক সুখী হয়। ২১ যিজন হৃদয়েৰে জ্ঞানী, তেওঁক সুবিবেচক বুলি কোৱা হয়, আৰু মৃদু কথাই শিক্ষা দিয়া সক্ষমতা বৃদ্ধি কৰে। ২২ বিবেচক লোকৰ বাবে সুবিবেচনা জীৱনৰ ভুমুকস্বৰূপ; কিন্তু অজ্ঞানী সকলৰ শাস্তি তেওঁলোকৰ অজ্ঞানতা। ২৩ জ্ঞানী লোকৰ হৃদয়ে তেওঁৰ মুখেৰে জ্ঞান প্ৰকাশ কৰে; আৰু তেওঁৰ ওঁঠত বিশ্বাসৰ কথা থাকে। ২৪ সন্তোষজনক বাক্য মৌচাকৰ দৰে; সেয়ে আত্মালৈ মিঠা, আৰু হাড়বোৰলৈ আৰোগ্য স্বৰূপ। ২৫ এনে পথ আছে, যি মানুহৰ দৃষ্টিত শুদ্ধ; কিন্তু শেষতে সেয়ে মৃত্যুৰ পথ হয়। ২৬ পৰিশ্ৰমী লোকৰ ক্ষুধাই তেওঁক পৰিশ্ৰম কৰায়; তেওঁৰ ক্ষুধাই তেওঁক উদগায়। ২৭ নিষ্কৰ্মা লোকে দুষ্কৰ্ম খান্দি উলিয়াই, আৰু তেওঁৰ কথা জলন্ত আঙঠাৰ দৰে। ২৮ উচ্ছৃঙ্খল লোকে বিবাদ সৃষ্টি কৰে; পৰচৰ্চ্চাকাৰীয়ে প্ৰণয়ৰ বন্ধুৰ বিচ্ছেদ জন্মায়। ২৯ অত্যাচাৰী লোকে নিজৰ চুবুৰীয়াক মিছা কথা কয়; আৰু যি পথ বেয়া, সেই পথলৈ তেওঁক লৈ যায়। ৩০ যিজনে চকু টিপিয়াই, তেওঁ অসৎ বিষয়ৰ পৰিকল্পনা কৰে। যিসকলে ওঁঠ কামোৰে তেওঁলোকে পাপ কাৰ্য হ'বলৈ দিয়ে। ৩১ পকা চুলি গৌৰৱৰ মুকুট। সৎ পথত চলাৰ দ্বাৰাই ইয়াক পোৱা যায়। ৩২ ক্ৰোধত ধীৰ লোক বীৰতকৈ উত্তম; আৰু নিজৰ মনক দমন কৰা লোক নগৰ জয়কাৰীতকৈয়ো শ্ৰেষ্ঠ। ৩৩ চিঠি-খেলৰ গুটি কোঁচত পৰে, কিন্তু সিদ্ধান্ত যিহোৱাৰ পৰা হয়।

১৭ বিবাদযুক্ত ভোজেৰে সৈতে পৰিপূৰ্ণ হোৱা ঘৰতকৈ, শান্তিৰে
সৈতে শুদাই এগৰাহ খোৱাই ভাল। ২ এজন জ্ঞানী দাসে লাজ
দিওঁতা পুত্ৰৰ ওপৰত শাসন কৰিব, আৰু ভায়েকসকলৰ এজন যেন
হৈ উত্তৰাধিকাৰ ভগাই লব। ৩ ৰূপৰ কাৰণে ধাতু গলোৱা পাত্ৰ,
আৰু সোণৰ কাৰণে ভাতী, কিন্তু যিহোৱাই হৃদয় শোধন কৰে। ৪ যি
লোকে কুকৰ্ম কৰে, তেওঁ নীতিহীন কথা কোৱাসকলৰ কথা শুনে,
আৰু মিছলীয়াই বেয়া বিষয়ৰ কথা কওতা জনলৈ মনোযোগ দিয়ে। ৫
দৰিদ্ৰক পৰিহাস কৰা জনে তেওঁৰ স্ৰজনকৰ্ত্তাকে অপমান কৰে; আৰু
যি জনে দুৰ্ভাগ্যত আনন্দ কৰে, তেওঁ দণ্ড নোপোৱাকৈ নাথাকিব। ৬
বৃদ্ধসকলৰ নাতি নাতিনী তেওঁলোকৰ কিৰীটি স্বৰূপ; আৰু পিতৃসকল
তেওঁলোকৰ নিজৰ সন্তানৰ গৌৰৱ স্বৰূপ। ৭ বাকপটু ওঁঠ মুৰ্খৰ কাৰণে
উপযোগী নহয়; তেন্তে তাতকৈ কিমান কম পৰিমাণে মিছলীয়া ওঁঠ
ৰাজভক্ত ব্যক্তিৰ উপযোগী হয়। ৮ দিয়া জনৰ বাবে ভেঁটি যাদুৰ
পাথৰৰ দৰে; যি ফালেই তেওঁ যায়, সেই ফালেই তেওঁ সফল হয়। ৯
যি জনে অপৰাধ ঢাকে, তেওঁ প্ৰেমৰ চেষ্টা কৰে; কিন্তু যি কোনোৱে
একে বিষয় বাৰে বাৰে কৈ থাকে, তেওঁ প্ৰণয়ৰ বন্ধুৰ বিচ্ছেদ জন্মায়।
১০ যি দৰে মূৰ্খৰ ওপৰত এশ কোবে কাম কৰে, সেই দৰে সুবিবেচকৰ
মনলৈ অনুযোগ গভীৰ ভাবে সোমায়। ১১ দুষ্ট লোকে কেৱল বিদ্ৰোহৰ
চেষ্টা কৰে; সেয়ে নিষ্ঠুৰ বাৰ্ত্তাবাহকক তেওঁৰ বিপক্ষে পঠোৱা হ'ব। ১২
নিজৰ অজ্ঞানতাত মগ্ন হোৱা অজ্ঞানী লোকৰ লগত সাক্ষাৎ হোৱাতকৈ,
পোৱালি আজুৰি নিয়া ভালুকৰ লগত সাক্ষাৎ হোৱাই ভাল। ১৩
যেতিয়া কোনো এজনে উপকাৰৰ সলনি অপকাৰ কৰে, তেতিয়া
অপকাৰে তেওঁৰ ঘৰ পৰিত্যাগ নকৰে। ১৪ বিবাদৰ আৰম্ভণি কোনো
এজনে পানী চাৰিওফালে এৰি দিয়াৰ দৰে; এই হেতুকে দন্দ্ব-কাজিয়া
নোহোৱাৰ আগতেই বিবাদৰ পৰা আঁতৰি থাকা। ১৫ যি জনে দুষ্টক
নিৰ্দোষী কৰে, আৰু ধাৰ্মিকক দোষী কৰে, তেওঁলোক দুয়ো সমানে
যিহোৱাৰ ঘিণলগীয়া। ১৬ যিহেতু অজ্ঞানী লোকৰ শিক্ষা গ্ৰহণ কৰাৰ
দক্ষতা নাই সেয়ে তেওঁ প্ৰজ্ঞা আহৰণ কৰিবলৈ কিয় ধন খৰচ কৰিব?
১৭ বন্ধু সকলো সময়তে প্ৰিয় হয়; আৰু ভায়েকৰ দুৰ্দ্দশাৰ দিনৰ বাবে

জন্ম হয়। ১৮ জ্ঞানশূন্য লোকে প্ৰতিজ্ঞাত আৱদ্ধ হয়; আৰু চুবুৰীয়াৰ
ধাৰৰ দ্বায়ীত্ব লয়। ১৯ যিজনে বিবাদ ভাল পায়, তেওঁ পাপ ভাল
পায়; যি কোনোৱে নিজৰ প্ৰবেশ দুৱাৰ ওখ কৰে, তেওঁ বিনাশৰ চেষ্টা
কৰে। ২০ কুটিল মনৰ লোকে কোনো বিষয়তে মঙ্গল বিচাৰি নাপায়;
যিজনে মিছা কথা কয়, তেওঁ বিপদত পৰে। ২১ যিজনে অজ্ঞানীক
জন্ম দিয়ে, তেওঁ নিজলৈ খেদ আনে; আৰু অজ্ঞানীৰ পিতৃয়ে আনন্দ
কৰিব নোৱাৰে। ২২ আনন্দিত হৃদয় ভাল ঔষধ হয়; কিন্তু ভগ্ন হৃদয়ে
হাড়বোৰ শুকুৱায়। ২৩ ন্যায়ৰ পথ বিপথগামী কৰিবলৈ দুষ্টলোকে
গুপুতে দিয়া ভেঁটি গ্ৰহণ কৰে। ২৪ যিজনৰ সুবিবেচনা থাকে, তেওঁ
প্ৰজ্ঞাৰ সন্মুখত থাকে; কিন্তু অজ্ঞানী লোকৰ চকু পৃথিবীৰ অন্তত থাকে।
২৫ অজ্ঞানী পুত্ৰই তেওঁৰ পিতৃক বেজাৰ দিয়ে, আৰু তেওঁক জন্ম দিয়া
মহিলাৰ কাৰণে তেওঁ দুখ দায়ক। ২৬ ন্যায় কৰা জনক শাস্তি দিয়া
অনুচিত; আৰু সাধুলোকক তেওঁৰ সৰলতাৰ বাবে প্ৰহাৰ কৰা ভাল
নহয়। ২৭ জ্ঞানী লোকে ক'ম কথা কয়; আৰু ধীৰ মনৰ লোক বিবেচক।
২৮ এনেকি অজ্ঞানী লোকে নিমাতে থাকিলে জ্ঞানী বুলি ভবা যায়; তেওঁ
যেতিয়া মুখ বন্ধ কৰি ৰাখে, তেতিয়া তেওঁ বুধিয়ক বুলি গণিত হয়।

**১৮** যি জনে নিজকে পৃথকে ৰাখে, তেওঁ কেৱল নিজৰ আকাংক্ষা
সিদ্ধিৰ চেষ্টা কৰে, আৰু সকলো সুপৰামৰ্শৰ বিৰুদ্ধে যুঁজ কৰে। ২
অজ্ঞানী লোকে বিবেচনাত সন্তোষ নাপায়, কিন্তু কেৱল নিজৰ হৃদয়ত
থকা কথা প্ৰকাশ কৰে। ৩ যেতিয়া দুষ্ট লোক আহে, তেওঁৰ লগত
অপমানো আহে; আৰু অপমানৰ লগত নিন্দাও আহে। ৪ মানুহৰ মুখৰ
কথা গভীৰ জলৰ দৰে; প্ৰজ্ঞাৰ ভুমুক বৈ থকা জুৰিৰ নিচিনা। ৫ দুষ্ট
লোকলৈ পক্ষপাত হোৱা ভাল নহয়, আৰু ন্যায় কৰা সকলৰ বিচাৰ
অগ্ৰাহ্য কৰা ভাল নহয়। ৬ অজ্ঞানী লোকৰ ওঁঠে তেওঁৰ লগত বিবাদ
আনে, আৰু তেওঁৰ মুখৰ কথাই তেওঁক মাৰ খোৱাই। ৭ অজ্ঞানী
লোকৰ মুখে তেওঁৰ ধ্বংস আনে, আৰু তেওঁৰ ওঁঠে তেওঁক ফান্দত
পেলাই। ৮ পৰচৰ্চ্চাকাৰীৰ কথা সুস্বাদু আহাৰৰ দৰে; সেয়ে শৰীৰৰ
ভিতৰৰ অংশলৈকে সোমায় যায়। ৯ আৰু যি জনে নিজৰ কাৰ্যত
অৱহেলা কৰে, তেওঁ ধ্বংসকাৰীৰ ভায়েকৰ দৰে। ১০ যিহোৱাৰ নাম

দৃঢ় দুৰ্গ স্বৰূপ; সৎ কাৰ্য কৰা লোকে পলাই গৈ সেই দুৰ্গত ৰক্ষা পায়। ১১ ধনৱানৰ ধন-সম্পত্তিয়েই তেওঁৰ দৃঢ় নগৰ; আৰু তেওঁৰ কল্পনাত সেইবোৰ ওখ দেৱালৰ দৰে। ১২ পতনৰ পূৰ্বে মানুহৰ হৃদয় অহংকাৰী হয়, কিন্তু নম্ৰতা সন্মানৰ আগে আহে। ১৩ যি জনে নুশুনাৰ পূৰ্বেই উত্তৰ দিয়ে, সেয়ে তেওঁৰ অজ্ঞানতা আৰু অপমান। ১৪ মানুহৰ আত্মাই অসুস্থতাতো জীয়াই ৰাখিব; কিন্তু ভগ্ন আত্মাক কোনে সহিব পাৰে? ১৫ বুধিয়কৰ হৃদয়ে জ্ঞান অৰ্জন কৰে, আৰু জ্ঞানী লোকে শুনাৰ দ্বাৰাই জ্ঞান বিচাৰি পায়। ১৬ মানুহৰ উপহাৰে হয়তো পথ মুকলি কৰিব পাৰে, আৰু গণ্যমান্য লোকৰ আগলৈ তেওঁক লৈ যায়। ১৭ যেতিয়ালৈকে বিপক্ষ জন আহি তেওঁক প্ৰশ্ন নকৰে; তেতিয়ালৈকে গোচৰত প্ৰথমে উপস্থিত হোৱা জন নিৰ্দোষী যেন বোধ হয়; ১৮ চিঠি-খেলে বিবাদ সমাপ্ত কৰে, আৰু পৰাক্ৰমী বিপক্ষ সকলক পৃথকে ৰাখে। ১৯ দৃঢ় নগৰ জয় কৰাতকৈ ক্ষুদ্ধ ভায়েকক জয় কৰা টান; আৰু বিবাদ দূৰ্গত লগোৱা মাৰিৰ দৰে। ২০ নিজৰ মুখৰ ফলেৰে পেট পৰিপূৰ্ণ হয়; আৰু তেওঁৰ ওঁঠৰ শস্যৰে তেওঁ সন্তুষ্ট হয়। ২১ জিভাৰ শক্তিত মৃত্যু আৰু জীৱন থাকে; আৰু যিসকলে তাক ভাল পায়, তেওঁলোকে তাৰ ফল ভোগ কৰিব। ২২ যি জনে ভাৰ্যা পায়, তেওঁ পৰম বস্তু পায়, আৰু যিহোৱাৰ পৰা অনুগ্ৰহ লাভ কৰে। ২৩ দৰিদ্ৰ লোকে কৃপাৰ বাবে বিনয় কৰে; কিন্তু ধনৱান লোকে কঠুৱা উত্তৰ দিয়ে। ২৪ যি জনে অনেক লোকৰ সৈতে বন্ধুত্ব কৰে, তেওঁ নিজৰ সৰ্ব্বনাশলৈহে তাকে কৰে; কিন্তু এনে বন্ধু থাকে যি ভায়েকতকৈ আপোন হয়।

**১৯** নিজৰ সিদ্ধতাত চলা দৰিদ্ৰ লোক, কোনো এজন কথাত বিপথগামী আৰু অজ্ঞানী লোকতকৈ ভাল। ২ জ্ঞানৰ অবিহনে অভিপ্ৰায় থকা ভাল নহয়; আৰু যি জনে বেগেৰে যায়, তেওঁ পথ হেৰুৱাই। ৩ মানুহৰ অজ্ঞানতাই তেওঁৰ জীৱন ধ্বংস কৰে; আৰু তেওঁৰ হৃদয় যিহোৱাৰ বিৰুদ্ধে ক্ৰোধান্বিত হয়। ৪ ধন-সম্পত্তিয়ে অনেক বন্ধু একত্ৰিত কৰে; কিন্তু দৰিদ্ৰ লোক নিজৰ বন্ধুসকলৰ পৰা বিচ্ছিন্ন হয়। ৫ মিছা সাক্ষী দিয়া জনে দণ্ড নোপোৱাকৈ নাথাকিব; আৰু যি জনে মিছা কথা কয় তেৰোঁ অব্যাহতি নাপায়। ৬ অনেক লোকে অনুগ্ৰহ

পাবলৈ দয়ালু লোকৰ আগত নিবেদন কৰে, আৰু যি জনে উপহাৰ
দিয়ে, তেওঁৰ সকলো বন্ধু হয়। ৭ যদি দৰিদ্ৰ লোকৰ ভায়েক সকলে
তেওঁক ঘিণ কৰে; তেনেহলে তাতকৈ কিমান অধিক পৰিমাণে তেওঁৰ
বন্ধুসকল তেওঁৰ পৰা আঁতৰি যাব! তেওঁ তেওঁলোকক আহ্বান কৰে,
কিন্তু তেওঁলোক আতৰি যায়। ৮ যিজনে জ্ঞান লাভ কৰে, তেওঁ নিজৰ
প্ৰাণক প্ৰেম কৰে, যিজনে বিবেচনা শক্তি ৰাখে, তেওঁ যি ভাল তাক
বিচাৰি পায়। ৯ মিছা সাক্ষী দিয়া জনে দণ্ড নোপোৱাকৈ নাথাকিব;
কিন্তু মিছা কথা কোৱা জন বিনষ্ট হ'ব। ১০ অজ্ঞানী লোকে বিলাসীতা
জীৱন যাপন কৰা অনুপযুক্ত; তেনেহলে ৰাজকুমাৰৰ ওপৰত দাসে
শাসন কৰা তাতকৈ কিমান অধিক পৰিমাণে অনুপযুক্ত! ১১ মানুহৰ
বিবেচনাই তেওঁক ক্ৰোধত ধীৰ কৰে, আৰু অপৰাধ অৱমাননা কৰা
তেওঁৰ গৌৰৱ। ১২ ৰজাৰ ক্ৰোধ ডেকা সিংহৰ গৰ্জ্জনৰ দৰে; কিন্তু
তেওঁৰ অনুগ্ৰহ ঘাঁহৰ ওপৰত পৰা নিয়ৰৰ দৰে। ১৩ মূৰ্খ পুত্ৰই পিতৃলৈ
ধ্বংস আনে, আৰু কন্দল কৰা মহিলা টোপ-টোপকৈ পৰি থকা পানীৰ
দৰে। ১৪ ঘৰ আৰু ধন-সম্পত্তি পিতৃসকলৰ পৰা পোৱা উত্তৰাধিকাৰ;
কিন্তু জ্ঞানৱতী ভাৰ্যা যিহোৱাৰ পৰা পোৱা যায়। ১৫ এলাহে মানুহক
দুৰ্ঘোৰ নিদ্ৰাত পেলায়, কিন্তু যিজনে কাম কৰিবলৈ ইচ্ছা নকৰে, তেওঁ
ভোকত থাকিব। ১৬ যি জনে আজ্ঞা পালন কৰে, তেওঁ নিজৰ প্ৰাণ
ৰক্ষা কৰে; কিন্তু যি জনে নিজৰ পথৰ বিষয়ে চিন্তা নকৰে, তেওঁৰ
মৃত্যু হ'ব। ১৭ যি জনে দৰিদ্ৰক দয়া কৰে, তেওঁ যিহোৱাক ঋণ দিয়ে;
আৰু তেওঁ কৰা কাৰ্যৰ বিনিময়, তেওঁ তেওঁক পৰিশোধ কৰিব। ১৮
আশা থাকোতে নিজৰ সন্তানক নিয়মানুবৰ্তিতা শিকোৱা; আৰু সন্তানক
মাৰি পেলোৱাৰ কথা হৃদয়ত নাভাবিবা। ১৯ অতি ক্ৰোধী মানুহে দণ্ড
পোৱা উচিত; যদি তুমি তেওঁক মুক্ত কৰা, তেনেহলে তুমি দ্বিতীয়
বাৰৰ বাবেও কৰিব লাগিব। ২০ তুমি জীৱনৰ শেষ বয়সত জ্ঞানী
হ'বলৈ পৰামৰ্শ শুনা, আৰু নিৰ্দেশ গ্ৰহণ কৰা। ২১ মানুহৰ হৃদয়ত
বহুতো আঁচনি থাকে; কিন্তু যিহোৱাৰ অভিপ্ৰায় থিৰে থাকিব। ২২
আনুগত্য মানুহৰ ইচ্ছাৰে হয়, আৰু মিছলীয়াতকৈ দৰিদ্ৰ লোক ভাল।
২৩ যিহোৱাক তেওঁৰ পাবলগীয়া সন্মান দিয়া, আৰু সেয়ে তোমাৰ

জীৱনদায়ক হ’ব, আৰু যি জনৰ সেয়া আছে, তেওঁ তৃপ্ত হৈ থাকিব; আৰু তেওঁ অনিষ্টৰ দ্বাৰাই পীড়িত নহ’ব। ২৪ এলেহুৱাই পাত্রৰ আহাৰত হাত সুমুৱাই, এনেকি পুনৰায় মুখলৈ ঘূৰাই নিব নোৱাৰিব। ২৫ নিন্দকক প্রহাৰ কৰা, তাতে অশিক্ষিত দূৰদৰ্শী হ’ব; আৰু সুবিবেচকক অনুযোগ কৰা, তাতে তেওঁ জ্ঞান লাভ কৰিব। ২৬ যি পুত্রই পিতৃক লুট কৰে, আৰু মাতৃক খেদি দিয়ে, তেওঁ এনে পুত্র যি জনে লাজ আৰু অপমান আনে। ২৭ হে মোৰ পুত্র, যদি তুমি উপদেশ শুনিবলৈ এৰি দিয়া, তুমি জ্ঞানৰ বাক্যৰ পৰা ভ্রান্ত হবা। ২৮ দুৰ্নীতিগ্রস্ত সাক্ষীয়ে ন্যায় বিচাৰৰ নিন্দা কৰে, আৰু দুষ্টসকলৰ মুখে অপৰাধ গ্ৰাস কৰে। ২৯ নিন্দকসকলৰ বাবে দণ্ড যুগুত আছে, আৰু অজ্ঞানী সকলৰ পিঠিৰ বাবে সাঁচ বহা কোব যুগুত আছে।

২০ দ্রাক্ষাৰস নিন্দক, আৰু সুৰা দ্বন্দ্ব-কাজিয়া কৰা লোক; যি কোনোৱে সুৰা পান কৰি মতলীয়া হয়, তেওঁ জ্ঞানী নহয়। ২ ৰজাৰ ক্রোধ যুবা সিংহৰ গৰ্জ্জনৰ দৰে; যিজনে তেওঁৰ খং তোলে, তেওঁ নিজৰ জীৱন হেৰুৱাই। ৩ বিবাদৰ পৰা দূৰত থকাই মানুহৰ সন্মান; কিন্তু প্ৰত্যেক অজ্ঞানী লোকে বিতৰ্কত সোমায়। ৪ এলেহুৱা লোকে শৰৎ কালত হাল নাবায়; আৰু তেওঁ শস্য দোৱাৰ সময়ত অলপ শস্য বিচাৰে, কিন্তু একোকে নাপায়। ৫ মানুহৰ হৃদয়ৰ অভিপ্ৰায় গভীৰ জলৰ দৰে; কিন্তু সেই কল্পনা বিবেচক ব্যক্তিয়ে বাহিৰত প্ৰকাশ কৰে। ৬ বহুতো লোকে নিজৰ সাধুতা ঘোষণা কৰে; কিন্তু বিশ্বাসী লোক কোনে বিচাৰি পায়? ৭ ন্যায় কাৰ্য কৰা লোকে নিজৰ ন্যায়পৰায়ণতাত চলে, আৰু তেওঁক অনুসৰণ কৰা তেওঁৰ সন্তান সকল সুখী হয়। ৮ সিংহাসনত বহা ৰজাই বিচাৰকৰ দ্বায়ীত্ব পালন কৰে; তেওঁৰ আগত থকা সকলো দুষ্টতা তেওঁৰ দৃষ্টিৰে পৰীক্ষা কৰে। ৯ কোনে ক’ব পাৰে “মই মোৰ হৃদয় শুদ্ধ কৰি ৰাখিছোঁ, আৰু মোৰ পাপৰ পৰা মই মুক্ত হ’লো? ১০ পাৰ্থক্য থকা ওজন, আৰু অসমান জোখ, এই দুয়োটাকে যিহোৱাই ঘিণ কৰে। ১১ এনেকি যুৱক এজনে তেওঁৰ কাৰ্যৰ দ্বাৰাই পৰিচিত হয়, শুদ্ধ আৰু ন্যায়পৰায়ণ আচৰণৰ দ্বাৰাই তেওঁক বুজিব পৰা যায়। ১২ শ্ৰৱনকাৰী কাণ আৰু দৰ্শনকাৰী চকু, এই দুয়োকো

যিহোৱাই সৃষ্টি কৰিলে। ১৩ নিদ্ৰাক ভাল নাপাবা অথবা, তুমি দৰিদ্ৰ হবা; তোমাৰ চকু মেলা, আৰু তোমাৰ প্ৰচুৰ পৰিমাণে খোৱা বস্তু থাকিব। ১৪ কিনা জনে কয়, "বেয়া! বেয়া! কিন্তু যেতিয়া তেওঁ আঁতৰি যায়, তেতিয়া তেওঁ অহংকাৰ কৰে। ১৫ সোণ আৰু অজস্ৰ মূল্যবান পাথৰ আছে; কিন্তু জ্ঞানযুক্ত ওঁঠ অমূল্য ৰত্ন। ১৬ যি জনে অচিনাকীৰ জামিন হয়, তেওঁৰ বস্ত্ৰ লোৱা; যেতিয়া তেওঁ কোনো ব্যভিচাৰিণীৰ বাবে জামিন হয়, তেতিয়া তেওঁৰ পৰা বন্ধক লোৱা। ১৭ প্ৰবঞ্চনাৰে পোৱা পিঠাৰ সোৱাদ মিঠা লাগে; কিন্তু পাছত তেওঁৰ মুখ শিলেৰে পূৰ্ণ হয়। ১৮ পৰামৰ্শৰ দ্বাৰাই আঁচনিবোৰ সিদ্ধ হয়; আৰু কেৱল জ্ঞানী লোকৰ নেতৃত্বত যুদ্ধ আৰম্ভ কৰা হয়। ১৯ পৰচৰ্চ্চাকাৰীয়ে গুপুত কথা প্ৰকাশ কৰে; সেয়ে যি জনে বহু কথা কয়, তেওঁৰ সৈতে সহযোগ নকৰিবা। ২০ যি জনে নিজৰ পিতৃক নাইবা মাতৃক শাও দিয়ে, ঘোৰ অন্ধকাৰত তাৰ চাকি নুমাই যায়। ২১ উত্তৰাধিকাৰ আৰম্ভণীতে শীঘ্ৰে পোৱা যায়; কিন্তু শেষত সেয়ে ভাল নহব। ২২ এইদৰে নকবা, "মই তোমাৰ ভুলৰ বাবে প্ৰতিকাৰ সাধিম!" যিহোৱালৈ অপেক্ষা কৰা, তেওঁ তোমাক উদ্ধাৰ কৰিব। ২৩ যিহোৱাই অসমান ওজন ঘিণ কৰে, ফাঁকি তুলাচনী ভাল নহয়। ২৪ মানুহৰ ভৰিৰ খোজ যিহোৱাৰ পৰিচালিত; তেনেহলে মানুহে কেনেকৈ নিজৰ পথ বুজিব? ২৫ কোনো লোকে হঠাতে "এই বস্তু পবিত্ৰ" বুলি কোৱা, মানুহ; আৰু সঙ্কল্প কৰাৰ পাছত তাৰ অৰ্থ কি সেই বিষয়ে চিন্তা কৰা মানুহৰ বাবে ফান্দৰ দৰে। ২৬ জ্ঞানী ৰজাই দুষ্টসকলক পৃথক কৰে, আৰু তাৰ পাছত তেওঁ শষ্য মৰা গাড়ী তেওঁলোকৰ ওপৰেদি চলায়। ২৭ মানুহৰ আত্মা যিহোৱাৰ প্ৰদীপস্বৰূপ; সেয়ে তেওঁ সকলোৰে অন্তৰৰ ভিতৰ অংশ বিচাৰে। ২৮ বিশ্বাসযোগ্য আৰু বিশ্বস্বতাৰ নিয়মে ৰজাক সংৰক্ষিত কৰে, আৰু তেওঁৰ সিংহাসন প্ৰেমৰ দ্বাৰাই নিৰাপদে থাকে। ২৯ যুৱকৰ বলেই তেওঁৰ গৌৰৱ, আৰু পকা চুলিয়ে বৃদ্ধ লোকৰ অভিজ্ঞতা দৰ্শাই। ৩০ ঘা লগোৱা প্ৰহাৰে দুষ্টতা পৰিষ্কাৰ কৰে, আৰু প্ৰহাৰে অন্তৰৰ গভীৰতম অংশ পৰিষ্কাৰ কৰে।

**২১** ৰজাৰ হৃদয় যিহোৱাৰ হাতৰ পৰা বৈ থকা পানীৰ দৰে; তেওঁ
এই পানী যি দিশলৈ ইচ্ছা কৰে, সেই দিশলৈ বোৱায়। ২ সকলো
মানুহৰ পথ তেওঁৰ নিজৰ দৃষ্টিত ন্যায়; কিন্তু যিহোৱাই হৃদয় জোখে।
৩ যি সত্য আৰু ন্যায়, এনে কাৰ্য কৰা; বলিদানতকৈ এই কাৰ্য সমূহ
যিহোৱাৰ গ্ৰহণীয়। ৪ অহংকাৰী দৃষ্টি আৰু দাম্ভিক হৃদয়; দুষ্ট লোকৰ
প্ৰদীপ পাপেৰে পৰিপূৰ্ণ। ৫ পৰিশ্ৰমী লোকৰ কল্পনাই কেৱল উন্নতিলৈ
লৈ যায়; কিন্তু যি সকলে খৰকৈ কাৰ্য কৰে, তেওঁলোকলৈ কেৱল
দৰিদ্ৰতা আহে। ৬ মিছলীয়া জিভাৰ দ্বাৰাই অৰ্জন কৰা ধন-সম্পত্তি
অস্থায়ী ভাপ, সেইবোৰ মৃত্যু বিচাৰে, ৭ দুষ্ট লোকৰ অত্যাচাৰে
তেওঁলোকক দূৰ কৰিব; কাৰণ তেওঁলোকে ন্যায় পথত চলিবলৈ
অসন্মত হয়। ৮ অপৰাধীৰ পথ কুটিল হয়, কিন্তু যি জন শুদ্ধ, তেওঁ সৎ
কাৰ্য কৰে। ৯ দন্দুৰী স্বভাৱৰ ভাৰ্যাৰ সৈতে ঘৰত বাস কৰাতকৈ,
ঘৰৰ চালৰ এচুকত বাস কৰাই ভাল। ১০ দুষ্ট লোকৰ আত্মাই পাপ
আকাংক্ষা কৰে, আৰু তেওঁৰ পৰা তেওঁৰ চুবুৰীয়া কৃপা দৃষ্টি নাপায়।
১১ যেতিয়া নিন্দক লোকে দণ্ড পায়, তেতিয়া অশিক্ষিত লোক জ্ঞানী
হয়, আৰু যেতিয়া জ্ঞানী লোকে নিৰ্দেশ পায়, তেতিয়া তেওঁৰ জ্ঞান বৃদ্ধি
হয়। ১২ যি জনে সৎ কাৰ্য কৰে, তেওঁ দুষ্ট লোকৰ ঘৰ পৰ্যবেক্ষণ
কৰে; তেওঁ দুষ্ট লোকলৈ সৰ্ব্বনাশ কঢ়িয়াই আনে। ১৩ যি জনে
দৰিদ্ৰ লোকৰ কাতৰোক্তি নুশুনে, সেই জন যেতিয়া কান্দিব, তেতিয়া
কোনেও নুশুনিব। ১৪ গুপ্ত উপহাৰ ক্ৰোধ শান্ত কৰে, আৰু গোপন
উপহাৰে প্ৰচণ্ড ক্ৰোধৰ পৰা আঁতৰায় ৰাখে। ১৫ যেতিয়া ন্যায় বিচাৰ
হয়, তেতিয়া ন্যায় কৰা জনে আনন্দ পায়; কিন্তু কুকৰ্ম কৰা জনলৈ
সৰ্ব্বনাশ কঢ়িয়াই আনে। ১৬ যি জনে বিবেচনা শক্তিৰ পথৰ পৰা
ভ্ৰমি ফুৰে, সেই জনে মৃত সকলৰ সমাজত জিৰণী ল’ব। ১৭ যি
মানুহে ৰং-ধেমালি কৰি ভাল পায়, তেওঁ দৰিদ্ৰ হ’ব; আৰু যি জনে
দ্ৰাক্ষাৰস আৰু তেল ভাল পায় তেওঁ ধনৱান নহ’ব। ১৮ সৎ কাৰ্য কৰা
লোকৰ বাবে দুষ্টলোকে প্ৰায়শ্চিত পায়; আৰু ন্যায়পৰায়ণ লোকৰ
বাবে বিশ্বাসঘাতকৰ প্ৰায়শ্চিত হয়। ১৯ দ্বন্দুৰী আৰু সকলো সময়তে
অভিযোগ কৰি থকা মহিলাৰ সৈতে বাস কৰাতকৈ, মৰুভূমিত বাস

কৰাই ভাল। ২০ জ্ঞানী লোকৰ ঘৰত বহুমূল্য বস্তু আৰু তেল থাকে; কিন্তু অজ্ঞানী লোকে সেইবোৰ অপব্যৱহাৰ কৰে। ২১ যি জনে সৎ কার্য কৰে আৰু দয়ালু হয়, তেওঁ জীৱন পায়, উচিত সিদ্ধান্ত লয়, আৰু সন্মান লাভ কৰে। ২২ জ্ঞানী লোকে বীৰসকলৰ নগৰৰ বিৰুদ্ধে উঠি যায়, আৰু সুৰক্ষা দিয়া দুর্গ তেওঁ ধ্বংস কৰে। ২৩ যি জনে নিজৰ মুখ আৰু জিভা চম্ভালি ৰাখে, তেওঁ সঙ্কটৰ পৰা নিজকে ৰক্ষা কৰে। ২৪ গর্ব্বি আৰু অহংকাৰী লোকক “নিন্দক” বুলি কোৱা হয়; তেওঁ দাম্ভিকতাৰে কার্য কৰে। ২৫ এলেহুৱা লোকৰ অভিলাষে তেওঁক বধ কৰে; কাৰণ তেওঁৰ হাতে কাম কৰিবলৈ অমান্তি হয়। ২৬ ওৰে দিনটো তেওঁ অধিকতকৈ অধিক পাবলৈ আকাংক্ষা কৰে; কিন্তু সৎ কার্য কৰা জনে দান দিয়ে, আৰু দান দিয়া বন্ধ নকৰে। ২৭ দুষ্ট লোকৰ বলিদান ঘৃণনীয়; তাতে বেয়া মনোভাবেৰে অনাৰ বাবে তাতকৈ কিমান বেছি ঘৃণনীয় হ’ব। ২৮ মিছা সাক্ষী দিয়া জন ধ্বংস হ’ব; কিন্তু কথা শুনা জনে, তেওঁ সকলো সময়ৰ বাবে কথা ক’ব। ২৯ দুষ্ট লোকে নিজকে পৰাক্রমী দেখুৱাই; কিন্তু ন্যায়পৰায়ণ লোকে নিজৰ পথ বিবেচনা কৰে। ৩০ যিহোৱাৰ বিৰুদ্ধে প্রজ্ঞা, বিবেচনা, বা পৰামর্শ একোৱেই স্থিৰ হ’ব নোৱাৰে। ৩১ যুদ্ধৰ দিনৰ বাবে ঘোঁৰাক সু-সজ্জিত কৰা হয়, কিন্তু জয় যিহোৱাৰ কাৰণেহে হয়।

**২২** প্রচুৰ ধনতকৈয়ো সুনাম মনোনীত কৰা, সোণ আৰু ৰূপতকৈ অনুগ্ৰহ উত্তম। ২ ধনী আৰু দৰিদ্ৰ লোক উভয়ৰে মাজত কোনো পার্থক্য নাই, তেওঁলোকৰ সকলোৰে সৃষ্টিকর্ত্তা যিহোৱা হয়। ৩ দূৰদর্শী লোকে বিপদ দেখা পায়, আৰু নিজকে লুকুৱাই ৰাখে; কিন্তু অশিক্ষিত লোক আগুৱাই যায়, আৰু তেওঁলোকে ইয়াৰ বাবে কষ্ট পায়। ৪ যিহোৱালৈ ৰখা ভয় নম্ৰতা, সম্পত্তি, আৰু জীৱনলৈ সন্মান আনে। ৫ কুটিল লোকৰ পথত কাঁইট আৰু প্ৰৱঞ্চনাৰ ফান্দ থাকে; যিজনে নিজৰ আত্মা ৰক্ষা কৰে, তেওঁ সেইবোৰৰ পৰা দূৰত থাকে। ৬ সন্তানক তাৰ চলিবলগীয়া পথ অনুসাৰে শিক্ষা দিয়া, তাতে তেওঁ প্ৰাপ্ত বয়স্ক হ’লেও তেওঁ তাৰ পৰা ঘূৰি নাহিব। ৭ ধনী লোকে দৰিদ্ৰ লোকৰ ওপৰত শাসন কৰে, আৰু যিজনে ধাৰ লয়, তেওঁ ধাৰ দিয়া জনৰ

দাস হয়। ৮ যি জনে দুষ্টতাৰ গুটি সিচেঁ, তেওঁ সমস্যাৰ শস্য দাব; আৰু তেওঁৰ ক্ৰোধৰ লাঠি ব্যৱহাৰ কৰা নহ'ব। ৯ উদাৰ দৃষ্টিৰ লোক আশীৰ্ব্বাদপ্ৰাপ্ত হ'ব, কাৰণ তেওঁ দৰিদ্ৰৰ সৈতে নিজৰ আহাৰ ভাগ কৰে। ১০ নিন্দকক উলিয়াই পঠোৱা, তেতিয়া তাত আৰু বিবাদ নহ'ব, এনে কি বিৰোধ আৰু অপমানো নহ'ব। ১১ যিজনে শুদ্ধ হৃদয় ভাল পায়, আৰু যাৰ কথা অমায়িক, তেওঁৰ বন্ধুৰ বাবে তেওঁৰ এজন ৰজা হ'ব। ১২ যিহোৱাৰ চকুৱে জ্ঞানৰ ওপৰত দৃষ্টি ৰাখে; কিন্তু তেওঁ বিশ্বাসঘাতকৰ কথা উৎখাত কৰে। ১৩ এলেহুৱাই কয়, "বাটত এটা সিংহ আছে! মুকলি ঠাইত মোক বধ কৰিব।" ১৪ ব্যভিচাৰিণীৰ মুখ দ' গাতৰ দৰে; যি কোনোৱে সেই গাতত পৰিব তেওঁৰ বিৰুদ্ধে যিহোৱাৰ ক্ৰোধ প্ৰজ্বলিত হ'ব। ১৫ সন্তানৰ হৃদয়ত মুৰ্খতা আৱদ্ধ হৈ থাকে; কিন্তু চেকনীৰ অনুশাসনে তাক তাৰ পৰা দূৰ কৰে। ১৬ নিজৰ ধন বৃদ্ধি কৰিবলৈ দৰিদ্ৰ লোকক উপদ্ৰৱ কৰা জন, বা ধনী লোকক দান দিয়া জন, দৰিদ্ৰ হ'ব। ১৭ জ্ঞানী লোকৰ কথা শুনা; আৰু মনোযোগ দিয়া; আৰু মোৰ জ্ঞানৰ কথাত তোমাৰ হৃদয় মনোনিবেশ কৰা। ১৮ কাৰণ তুমি যদি সেইবোৰক তোমাৰ অন্তৰত ৰাখা, আৰু যদি সেই সকলোবোৰ তোমাৰ ওঁঠত থাকে, তেনেহ'লে সেয়ে তোমাৰ বাবে সুখজনক হ'ব। ১৯ সেয়ে তোমাৰ বিশ্বাস যাতে যিহোৱাত হ'ব পাৰে, মই আজি সেইবোৰ তোমাক শিকালোঁ, এনে কি কেৱল তোমাকেই এই সকলো শিকালোঁ। ২০ পৰামৰ্শ আৰু জ্ঞানৰ বিষয়ে মই তোমাৰ বাবে ত্ৰিশটা নীতিবচন লিখা নাই নে? ২১ তোমাক বিশ্বাসযোগ্য বাক্যৰ সত্যতাক শিকালোঁ, যাতে তোমাক পঠোৱা সকলক তুমি বিশ্বাসযোগ্য উত্তৰ দিব পাৰা। ২২ দৰিদ্ৰ লোকৰ বস্তু কাঢ়ি নলবা, কিয়নো তেওঁ দৰিদ্ৰ; বা দুৱাৰত থকা অভাবি লোকক দমন নকৰিবা। ২৩ কিয়নো যিহোৱাই তেওঁলোকৰ অভিযোগৰ প্ৰতিবাদ কৰিব, আৰু যি সকলে তেওঁলোকৰ বস্তু কাঢ়ি লয়, তেওঁ তেওঁলোকৰ জীৱন কাঢ়ি ল'ব। ২৪ যিজনে ক্ৰোধেৰে শাসন কৰে, তেওঁৰ সৈতে বন্ধুত্ব নকৰিবা, আৰু ক্ৰোধী লোকৰ সৈতে তুমি যোৱা উচিত নহয়; ২৫ নহ'লে তুমি তেওঁৰ আচৰণ শিকিবা, আৰু তুমি নিজকে নিজে ফান্দত পেলাবা। ২৬ ধনৰ

বিষয়ে প্ৰতিজ্ঞা কৰা জনৰ দৰে নহবা, আৰু তুমি অন্য লোকৰ ধাৰৰ বাবে জামিনদাৰ হোৱা উচিত নহয়। ২৭ যদি ধাৰ শুজিবলৈ তোমাৰ উপায় নাথাকে, তেনেহ'লে তোমাৰ শোৱাপাটি তোমাৰ পৰা তেওঁ লৈ যোৱাত কিহে বাধা দিব পাৰিব? ২৮ তোমাৰ পিতৃয়ে স্থাপন কৰা, পূৰ্বৰ সীমাৰ শিল নুগুচাবা। ২৯ নিজৰ কামত নিপুন থকা লোকক তুমি দেখিছা নে? তেওঁ ৰজাৰ আগত থিয় হ'ব, তেওঁ সৰ্ব্বসাধাৰণ লোকৰ আগত থিয় নহ'ব।

২৩ যেতিয়া তুমি কোনো শাসনকৰ্ত্তাৰ সৈতে ভোজনত বহা, তেতিয়া তোমাৰ সন্মুখত কোন আছে সাৱধানে লক্ষ্য কৰিবা। ২ কাৰণ তুমি যদি অধিক আহাৰ খাবলৈ ভাল পোৱা, তেনেহ'লে নিজৰ ডিঙিত নিজে ছুৰী দিবা। ৩ তেওঁৰ উত্তম খোৱা বস্তুলৈ হেঁপাহ নকৰিবা, কিয়নো সেয়ে প্ৰবঞ্চক আহাৰ। ৪ ধনী হ'বলৈ অধিক কষ্ট নকৰিবা, কেতিয়া বন্ধ কৰিব লাগে সেই কথা জানিবলৈ যথেষ্ট জ্ঞানী হোৱা। ৫ যেতিয়া তোমাৰ দৃষ্টি ধনত পৰে, সেয়ে গুচি যায়, আৰু হঠাতে ডেউকা লগাই, আৰু ঈগলৰ দৰে আকাশলৈ উৰি যায়। ৬ তোমাৰ আহাৰলৈ কোনো লোকে বহু সময় চাই থাকিলে, পাপী মানুহৰ আহাৰ ভোজন নকৰিবা, আৰু তেওঁৰ উত্তম খোৱা বস্তুলৈ হেঁপাহ নকৰিবা; ৭ কাৰণ তেওঁ এনে এজন মানুহ যি তোমাৰ আহাৰৰ হিচাপ লয়। তেওঁ তোমাক কয়, "ভোজন-পান কৰা!" কিন্তু তেওঁৰ হৃদয় তোমাৰ সৈতে নাথাকে। ৮ তুমি যি অলপ খাইছা, সেয়াও বমি কৰিবা, আৰু তোমাৰ অভিনন্দন বৃথা হ'ব। ৯ অজ্ঞানী লোকে শুনি থকাকৈ কথা নকবা; কিয়নো তেওঁ তোমাৰ প্ৰজ্ঞাৰ কথা তুচ্ছ কৰিব। ১০ পুৰণি সীমাৰ দেৱাল আতৰাই নিদিবা, বা অনাথ সকলৰ পথাৰৰ সীমালঙ্ঘন নকৰিবা; ১১ কিয়নো তেওঁলোকৰ মুক্তিকৰ্ত্তা বলৱান; আৰু তেওঁ তোমাৰ বিৰুদ্ধে তেওঁলোকৰ হৈ প্ৰতিবাদ কৰিব। ১২ তোমাৰ হৃদয়ে অনুশাসনলৈ মনোযোগ দিয়ক, আৰু জ্ঞানৰ কথালৈ তোমাৰ কাণ পাতা। ১৩ সন্তানক শাস্তি দিবলৈ ত্ৰুটি নকৰিবা; কিয়নো তুমি তাক চেকনীৰে কোবালে সি নমৰিব। ১৪ তুমি যদি তাক চেকনীৰে কোবোৱা, তেনেহ'লে তুমি তাৰ আত্মা চিয়োলৰ পৰা ৰক্ষা কৰিবা। (Sheol h7585) ১৫ হে মোৰ পুত্ৰ, যদি

তোমাৰ হৃদয় জ্ঞানী হয়, তেনেহ'লে মোৰ হৃদয়ো আনন্দিত হ'ব;
১৬ যেতিয়া তোমাৰ ওঁঠে যথাৰ্থ কথা কয়, তেতিয়া মোৰ অন্তঃকৰণ
উল্লাসিত হয়। ১৭ তোমাৰ হৃদয়ে পাপীক ঈৰ্ষা নকৰক; কিন্তু তুমি ওৰে
দিনটো যিহোৱাৰ ভয়ত থাকা; ১৮ অৱশ্যে ইয়াত তোমাৰ ভবিষ্যত
জড়িত হৈ আছে, আৰু তোমাৰ আশা খণ্ডন কৰা নহব। ১৯ হে মোৰ
পুত্ৰ, শুনা আৰু জ্ঞানী হোৱা, আৰু তোমাৰ হৃদয় সৰল পথত চলোৱা।
২০ সুৰা প্ৰিয় লোকৰ সৈতে সহযোগী নহ'বা, বা অধিক মাংস ভোজন
কৰা সকলৰ সঙ্গী নহবা। ২১ কাৰণ মতলীয়া আৰু খকুৱা লোক
দৰিদ্ৰ হয়, আৰু মানুহৰ টোপনিয়ে তেওঁলোকক ফটা বস্ত্ৰ পিন্ধায়।
২২ তোমাক জন্ম দিয়া পিতৃৰ কথা শুনা, আৰু তোমাৰ মাতৃৰ বৃদ্ধা
অৱস্থাত তেওঁক হেয়জ্ঞান নকৰিবা। ২৩ সত্যক কিনা, কিন্তু ইয়াক
বিক্ৰী নকৰিবা; প্ৰজ্ঞা, অনুশাসন, আৰু সুবিবেচনা কিনা। ২৪ ন্যায় কাৰ্য
কৰা জনৰ পিতৃ অতিশয় উল্লাসিত হয়, আৰু জ্ঞানী পুত্ৰৰ জন্মদাতাই
তেওঁৰ বাবে আনন্দ কৰিব। ২৫ তোমাৰ পিতৃ আৰু মাতৃক আনন্দিত
হ'বলৈ দিয়া, আৰু তোমাৰ জন্মদাতাক উল্লাসিত হ'ব দিয়া। ২৬ হে
মোৰ পুত্ৰ, তোমাৰ হৃদয় মোক দিয়া, তোমাৰ চকুক মোৰ পথলৈ
নিৰীক্ষণ কৰিবলৈ দিয়া। ২৭ কাৰণ বেশ্যা দ গাতৰ দৰে, আৰু অন্য
লোকৰ ভাৰ্যা ঠেক নাদৰ দৰে। ২৮ তেওঁ ডকাইতৰ দৰে খাপ দি
থাকে, আৰু মনুষ্যসকলৰ মাজত বিশ্বাসঘাতকতৰ দল বৃদ্ধি কৰে। ২৯
কাৰ দুৰ্দশা আছে? কাৰ দুখ আছে? কোনে কাজিয়া কৰে? কোনে
অভিযোগ কৰে? কোনে অকাৰণে মাৰ খায়? কাৰ চকু ৰঙা হয়? ৩০
যিসকলে বহুদিন দ্ৰাক্ষাৰসত লিপ্ত থাকে, আৰু যিসকলে দ্ৰাক্ষাৰসৰ
মিহলাবলৈ চেষ্টা কৰে। ৩১ যেতিয়া দ্ৰাক্ষাৰস ৰঙা হৈ থাকে, পাত্ৰত
দগমগায়, আৰু সহজে পেটলৈ যায়, তেতিয়া তালৈ দৃষ্টি নকৰিবা। ৩২
শেষতে সেয়ে সাপৰ নিচিনাকৈ কামুৰিব, আৰু বিষাক্ত সাপৰ দৰে
ইয়াৰ দংশন। ৩৩ তোমাৰ চকুৱে আচৰিত বস্তু দেখিব, আৰু তোমাৰ
হৃদয়ে মন্দ কথা কব; ৩৪ প্ৰচণ্ড সমুদ্ৰৰ ওপৰত শোৱা জনৰ দৰে, বা
জাহাজৰ মাজস্থলৰ ওপৰত শোৱা লোকৰ দৰে হবা; ৩৫ তুমি কবা,
"তেওঁলোকে মোক মাৰিলে!" কিন্তু মই আঘাত পোৱা নাই, তেওঁলোকে

মোক প্ৰহাৰ কৰিলে, কিন্তু মই অনুভৱ কৰা নাই। মই যেতিয়া সাৰ পাম? তেতিয়া মই পুনৰ দ্ৰাক্ষাৰস পান কৰিম।”

**২৪** দুষ্ট লোকক ঈৰ্ষা নকৰিবা, নাইবা তেওঁলোকৰ লগত থাকিবলৈ ইচ্ছা নকৰিবা; ২ কাৰণ তেওঁলোকৰ হৃদয়ে অত্যাচাৰৰ চক্ৰান্ত কৰে, আৰু তেওঁলোকৰ ওঁঠে সমস্যাৰ কথা কয়। ৩ প্ৰজ্ঞাৰ দ্বাৰাই ঘৰ নিৰ্মাণ হয়, আৰু বিবেচনাৰ দ্বাৰাই ঘৰ সংস্থাপন হয়। ৪ জ্ঞানৰ দ্বাৰাই কোঁঠালিবোৰ পৰিপূৰ্ণ হয়, লগতে সকলো বহুমূল্য আৰু আনন্দদায়ক বস্তুৰে পৰিপূৰ্ণ হয়। ৫ সাহসী লোক বলৱান হয়, কিন্তু বলৱান লোকতকৈ জ্ঞানী লোক ভাল। ৬ সুপৰামৰ্শৰ দ্বাৰাই তুমি তোমাৰ যুদ্ধ আৰম্ভ কৰিব পাৰা, আৰু বহুতো উপদেষ্টাৰ সৈতে জয় লাভ হয়। ৭ অজ্ঞানী লোকৰ বাবে প্ৰজ্ঞা অতি উচ্চ বিষয়; আৰু দুৱাৰত তেওঁ কথা কয়। ৮ তাত আমাৰ এজন দুষ্ট কাৰ্য কল্পনা কৰা লোক আছে, লোকসকলে তেওঁক পৰিকল্পনাৰ পৰিচালক বুলি কয়। ৯ জ্ঞানহীন আঁচনি পাপ, আৰু নিন্দক লোকক মানুহে ঘৃণা কৰে। ১০ সমস্যাৰ দিনত যদি তোমাৰ ভীৰুতা দেখুওৱা, তেনেহ’লে তুমি নিশকতীয়া। ১১ মৃত্যুলৈ লৈ যোৱা লোকসকলক ৰক্ষা কৰা, আৰু বধ কৰিবলৈ নিওতে যিসকল হতভম্ব হয় তেওঁলোকক তুমি যদি পাৰা ঘূৰাই আনা। ১২ তুমি যদি কোৱা, “আমি এই বিষয়ে একো নাজানো।” তুমি কি কৈছা? সেই বিষয়ে যি জনাই হৃদয় পৰীক্ষা কৰে, তেওঁ জানো নুবুজে? আৰু যিজনাই তোমাৰ জীৱন ৰক্ষা কৰে, তেওঁ জানো এই বিষয়ে নাজানে? ঈশ্বৰে মানুহক কৰ্ম অনুসাৰে জানো ফল নিদিয়ে? ১৩ হে মোৰ পুত্ৰ, মৌ খোৱা, কাৰণ ই ভাল, আৰু মৌচাকৰ পৰা নিগৰি অহা মৌ তোমাৰ জিভাৰ বাবে সুস্বাদু। ১৪ তেনেকৈ প্ৰজ্ঞা তোমাৰ আত্মাৰ বাবে তুমি যদি তাক বিচাৰি পোৱা, তেনেহ’লে তাত তোমাৰ ভবিষ্যত আছে, আৰু তোমাৰ আশা খণ্ডন কৰা নহব। ১৫ ন্যায় কাৰ্য কৰাসকলৰ ঘৰ যিজনে আক্ৰমণ কৰে, তেনে দুষ্ট মানুহৰ দৰে তুমি মিছা কথা নকবা, তেওঁলোকৰ ঘৰ ধ্বংস নকৰিবা। ১৬ কাৰণ যিসকলে ন্যায় কাৰ্য কৰে, তেওঁলোক সাতবাৰ পৰিলেও, তেওঁ পুনৰ উঠিব। কিন্তু দুষ্ট লোক দুৰ্যোগত পৰি বিনষ্ট হয়। ১৭ যেতিয়া তোমাৰ শত্ৰুৰ পতন হয়,

তেতিয়া আনন্দ নকৰিবা, আৰু যেতিয়া তেওঁ উজুতি খায়, তেতিয়া
তোমাৰ মনক উল্লাসিত হ’বলৈ নিদিবা। ১৮ কিয়নো যিহোৱাই চাব
আৰু অগ্ৰাহ্য কৰিব, আৰু তেওঁৰ পৰা তেওঁৰ ক্ৰোধ দূৰ কৰিব। ১৯
কুকৰ্ম কৰা সকলৰ বাবে উদ্বিগ্ন নহবা, আৰু দুষ্ট লোকক ঈৰ্ষা নকৰিবা,
২০ কাৰণ দুষ্ট লোকৰ কোনো ভবিষ্যত নাই, আৰু দুষ্ট লোকৰ প্ৰদীপ
নুমাই যাব। ২১ হে মোৰ পুত্ৰ, যিহোৱালৈ ভয় কৰা, আৰু ৰজাক
ভয় কৰা। তেওঁলোকৰ বিৰুদ্ধে বিদ্ৰোহ কৰা সকলৰ সৈতে সহযোগ
নকৰিবা। ২২ কাৰণ হঠাতে তেওঁলোকলৈ বিপৰ্যয় আহিব, তেওঁলোক
দুয়োৰে পৰা বিনাশ কিমান পৰিমানে হ’ব কোনে জানে? ২৩ এই
সকলো জ্ঞানী লোকৰ বচন। বিচাৰত পক্ষপাত কৰা উচিত নহয়। ২৪
যি জনে দোষীজনক কয়, “তুমি নিৰ্দোষী হোৱা,” তেওঁক মানুহে শাও
দিব, আৰু দেশবাসীয়ে ঘিণ কৰিব। ২৫ কিন্তু যিসকলে দুষ্টলোকক
নিন্দা কৰে, তেওঁলোক আনন্দিত হ’ব, আৰু তেওঁলোকলৈ ওপৰত
উত্তম আশীৰ্ব্বাদ আহে। ২৬ যিজনে সত্যতাত উত্তৰ দিয়ে, তেওঁ ওঁঠক
চুমা খায়। ২৭ তোমাৰ বাহিৰৰ কাম প্ৰস্তুত কৰা, আৰু নিজৰ বাবে
মুকলি ঠাইত সকলো বস্তু যুগুত কৰা, আৰু তাৰ পাছতহে তোমাৰ গৃহ
নিৰ্মাণ কৰা। ২৮ কাৰণ নোহোৱাকৈ তোমাৰ চুবুৰীয়াৰ অহিতে সাক্ষী
নহবা; আৰু তোমাৰ মুখেৰে প্ৰতাৰণা নকৰিবা। ২৯ এইদৰে নকবা,
“তেওঁ মোলৈ যিদৰে কৰিলে, মইয়ো তালৈ সেইদৰেই কৰিম; তেওঁ যি
কৰিলে তাৰ প্ৰতিফল মই তেওঁক দিম।” ৩০ মই এলেহুৱা মানুহৰ
পথাৰৰ মাজেৰে গৈছিলোঁ, জ্ঞানশূন্য মানুহৰ দ্ৰাক্ষাবাৰীৰ ওচৰেদি
গৈছিলোঁ। ৩১ চাৰিওফালে কাঁইটীয়া বন গজিছিল, গোটেই পথাৰ
কাঁইটে ঢাকি ধৰিছিল, আৰু সীমাত থকা শিলৰ বেৰা ভাঙি গৈছিল।
৩২ তাৰ পাছত মই চাই বিবেচনা কৰিলোঁ; আৰু চালোঁ আৰু শিক্ষা
পালোঁ। ৩৩ “অলপ টোপনি, আৰু অলপ টোপনি, জীৰণি লবলৈ হাত
সাৱটি থাকিলে, ৩৪ দৰিদ্ৰতা ডকাইতৰ দৰে তোমালৈ আহিব, আৰু
তোমাৰ প্ৰয়োজনীয়তা সুসজ্জিত যুদ্ধাৰুৰ দৰে আহিব।

**২৫** যিহূদাৰ ৰজা হিষ্কিয়াৰ লোক সকলে সংগ্ৰহ কৰা চলোমনৰ
নীতিবাক্য এইবোৰ। ২ বিষয়সমূহ গোপন ৰখাই ঈশ্বৰৰ গৌৰৱ; কিন্তু

কথা অনুসন্ধান কৰি মুকলি কৰা ৰজাসকলৰ গৌৰৱ। ৩ উচ্চতাৰ কাৰণে আকাশ, আৰু গভীৰতাৰ কাৰণে পৃথিৱী যিদৰে, সেইদৰে ৰজাসকলৰ হৃদয় অনুসন্ধান কৰা নাযায়। ৪ ৰূপৰ পৰা ধাতুমল দূৰ কৰা; ধাতুৰ কাম কৰা জনে তেওঁৰ শিল্পকাৰ্যত ৰূপ ব্যৱহাৰ কৰিব পাৰে; ৫ তাৰ উপৰিও ৰজাৰ সন্মুখৰ পৰা দুষ্টক দূৰ কৰা; ন্যায় কাৰ্য কৰাৰ দ্বাৰাই তেওঁৰ সিংহাসন স্থাপিত হ'ব। ৬ ৰজাৰ সন্মুখত নিজকে নিজে প্ৰশংসা নকৰিবা; আৰু মহান লোকৰ বাবে ৰখা ঠাইত তুমি থিয় নহ'বা। ৭ উচ্চপদস্থ ব্যক্তিৰ উপস্থিতিত অপদস্থ হোৱাতকৈ, "ইয়ালৈ আহাঁ", এই বুলি তেওঁ তোমাক কোৱা ভাল। তোমাৰ সাক্ষ্য কি আছিল, ৮ বিচাৰত বেগাই গৈ উপস্থিত নহ'বা; কাৰণ যেতিয়া তোমাৰ চুবুৰীয়াই তোমাক লাজ দিব, তেতিয়া শেষত তুমি কি কৰিবা? ৯ তোমাৰ আৰু চুবুৰীয়াৰ মাজত হোৱা বিবাদ নিজেই বিচাৰ কৰা, কিন্তু আন জনৰ গুপুত কথা প্ৰকাশ নকৰিবা; ১০ তোমাৰ কথা যিজনে শুনে, তেওঁ তোমাক লাজত পেলাব, আৰু দুষ্ট লোকে তোমাৰ বিষয়ে গোচৰ দিলে গুপুতে নাথাকিব। ১১ ভাল কথা কোৱাটো ৰূপত খটোৱা সোণৰ আপেলৰ দৰে, ১২ শুদ্ধ সোণেৰে গঢ়া সোণৰ আঙঠি বা অলঙ্কাৰ যেনে, জ্ঞানী লোকৰ অনুযোগ শুনা কাণো তেনে। ১৩ শস্য দোৱাৰ সময়ত হিমৰ চেঁচা যেনে, বিশ্বাসী বাৰ্ত্তাবাহক পঠোৱা সকলৰ বাবে তেনে; তেওঁ তেওঁৰ মালিকৰ আত্মা সতেজ কৰে; ১৪ বৰষুণ নোহোৱা মেঘ আৰু বতাহ যেনে, মিছাকৈ দান দিছোঁ বুলি অহংকাৰ কৰা জনো তেনে। ১৫ ধৈৰ্যেৰে শাসনকৰ্ত্তাই প্ৰত্যয় জন্মাব পাৰে, আৰু নম্ৰ জিভাই হাড় ভাঙিব পাৰে। ১৬ তুমি যদি মৌ বিচাৰি পোৱা, যিমান প্ৰয়োজন সিমানহে খাবা; নহ'লে মৌ অতিৰিক্ত খালে তুমি বমি কৰিবা। ১৭ তোমাৰ চুবুৰীয়াৰ ঘৰলৈ সঘনে নাযাবা, তেওঁ তোমালৈ আমনি পাই তোমাক ঘিণ কৰিব। ১৮ যিজনে চুবুৰীয়াৰ বিৰুদ্ধে মিছা সাক্ষ্য দিয়ে, তেওঁ যুদ্ধত ব্যৱহাৰ কৰা গদা, বা তৰোৱাল, বা তীকম্ন কাঁড়ৰ দৰে। ১৯ বেয়া দাঁত অথবা পিছল খোৱা ভৰিৰ যেনে, সঙ্কটৰ সময়ত অবিশ্বাসী লোকক বিশ্বাস কৰাও তেনে। ২০ কোনো এজনে মনৰ বেজাৰত গীত গোৱা যেনে, জাৰ কালিত কপোৰ সোলোকাই থোৱা

মানুহ, বা খাৰৰ ওপৰত দিয়া ভিনেগাৰো তেনে। ২১ তোমাৰ শত্রু
যদি ক্ষুধাতুৰ হয়, তেনেহ'লে তেওঁক আহাৰ খাবলৈ দিয়া; আৰু তেওঁ
যদি তৃষ্ণাতুৰ হয়, তেনেহ'লে তেওঁক পানী খাবলৈ দিয়া। ২২ কিয়নো
সেইদৰে কৰিলে, তুমি তেওঁৰ মূৰত জ্বলি থকা আঙঠা বেলচাৰে
আঁতৰাই দিয়া হ'ব, আৰু যিহোৱাই তোমাক পুৰস্কাৰ দিব। ২৩ উত্তৰৰ
বতাহে যেনেকৈ বৃষ্টি আনে, তেনেকৈ যিজনে গুপুত কথা কয় তেওঁৰ
মুখমণ্ডল ঘৃণনীয়। ২৪ দ্বন্দুৰী মহিলাৰ সৈতে ঘৰত বাস কৰাতকৈ,
ঘৰৰ ছালৰ এচুকত থকাই ভাল। ২৫ তৃষ্ণাতুৰ লোকৰ বাবে চেঁচা
পানী যেনে, দূৰ দেশৰ পৰা অহা মঙ্গল সম্বাদো তেনে। ২৬ ঘোলা
পানীৰ নিজৰা, বা নষ্ট হৈ যোৱা ভুমুক যেনে, দুষ্ট লোকৰ সন্মুখত ভাল
মানুহো থৰক-বৰক হোৱাও তেনে। ২৭ অধিককৈ মৌ খোৱা ভাল
নহয়, সেয়া সন্মানৰ ওপৰি সন্মান বিচৰা দৰে হয়। ২৮ যি জনে নিজৰ
মনক দমন নকৰে, তেওঁ গড় ভগা বা গড় নথকা নগৰৰ দৰে।

**২৬** গ্রীষ্ম কালত বৰফ, আৰু শস্য দোৱাৰ সময়ত বৃষ্টি যেনে,
সেইদৰে অজ্ঞানীয়ে সন্মান পোৱাৰ যোগ্য নহয়। ২ যিদৰে ঘৰ
চিৰিকাই জাপ মাৰি মাৰি খোৱা বস্তু গিলি ক্ষিপ্র গতিত উৰি যায়,
সেইদৰে অকাৰণে দিয়া শাও প্রজ্বলিত নহয়। ৩ ঘোঁৰাৰ বাবে চাবুক
আৰু গাধৰ বাবে লাগাম, আৰু অজ্ঞানীসকলৰ পিঠিৰ বাবে চেকনী। ৪
অজ্ঞানীক উত্তৰ নিদিবা, আৰু অজ্ঞানীৰ অজ্ঞানতাত সহযোগ নকৰিবা;
নহ'লে তুমি তেওঁৰ দৰেই হ'বা। ৫ অজ্ঞানীক উত্তৰ দিয়া আৰু তেওঁৰ
অজ্ঞানতাত সহযোগ কৰা; সেয়ে তেওঁ নিজৰ দৃষ্টিত জ্ঞানী বোধ
নকৰিব। ৬ যি জনে অজ্ঞানী লোকৰ হাতত বাৰ্ত্তা পঠিয়াই, তেওঁ নিজৰ
ভৰি নিজে কাটি পেলায়, আৰু অত্যাচাৰ ভোগ কৰে। ৭ জঠৰ ৰোগীৰ
ভৰি যিদৰে তললৈ ওলমি থাকে, অজ্ঞানীসকলৰ মুখত নীতিবাক্যও
সেইদৰে। ৮ ফিঙ্গাত শিল বন্ধা যেনে, অজ্ঞানীক সন্মান দিয়াও তেনে।
৯ মতলীয়াৰ হাতত বিন্ধা কাঁইট যেনে, অজ্ঞানীৰ মুখত নীতিবাক্যও
তেনে। ১০ ধনুৰ্দ্ধৰে যিদৰে সকলোকে আঘাত কৰে, কোনো এজনে
অজ্ঞানী, বা বাটৰুৱাক মজুৰি কৰোৱাও তেনে। ১১ কুকুৰে যিদৰে
নিজৰ বমি পুনৰ খায়, তেনেদৰে অজ্ঞানীয়ে পুনৰ অজ্ঞানতাৰ কাম

কৰে। ১২ নিজকে নিজে জ্ঞানী বুলি ভবা মানুহ তুমি দেখিছা নে?
তেওঁতকৈ অজ্ঞানীৰ বাবে বহুতো আশা আছে। ১৩ এলেহুৱা ব্যক্তিয়ে
কয়, “বাটত এটা সিংহ আছে! মুকলি ঠাইৰ মাজত এটা সিংহ আছে।”
১৪ দুৱাৰ যেনেকৈ কবজাত ঘুৰে, এলেহুৱা ব্যক্তিও তেনেকৈ নিজৰ
শোৱাপাটিত বাগৰে। ১৫ এলেহুৱা এজনে পাত্রত থকা আহাৰত
হাত সুমুৱাই দিয়ে, কিন্তু তেওঁৰ মুখলৈ সেই আহাৰ নিবলৈ শক্তি
নাথাকে। ১৬ সাত জন বুদ্ধিমান ব্যক্তিতকৈ এলেহুৱা লোকে নিজৰ
দৃষ্টিত নিজকে জ্ঞানী বুলি ভাবে। ১৭ কুকুৰৰ কাণত ধৰা লোকৰ যেনে,
বাটৰুৱাই আনৰ বিবাদত ক্ৰোধিত হোৱা তেনে। ১৮ জ্বলন্ত কাঁড় মৰা
জন যেনে, ১৯ নিজৰ চুবুৰীয়াক প্রতাৰণা কৰা জনো তেনে, আৰু তেওঁ
কয়, “মই জানো ধেমালি কৰা নাই?” ২০ যেনেকৈ খৰিৰ অভাৱত জুই
নুমায় যায়, তেনেকৈ পৰচৰ্চ্চাকাৰী নহ’লে কন্দলো নহয়। ২১ জ্বলি
থকা আঙঠাৰ বাবে কাঠকয়লা আৰু জুইৰ বাবে খৰি যেনে, বিবাদত
ইন্ধন যোগাবলৈ দ্বন্দুৰা লোক তেনে। ২২ পৰচৰ্চ্চাকাৰীৰ কথা সুস্বাদু
আহাৰৰ দৰে; সেয়ে শৰীৰৰ ভিতৰলৈকে সোমাই যায়। ২৩ জ্বলন্ত ওঁঠ
আৰু দুষ্টৰ হৃদয়, মাটিৰ পাত্রত সানি দিয়া জিলিকনিৰ দৰে। ২৪ যি
জনে ওঁঠে প্রকাশ কৰা কথা ঘিণ কৰে, তেওঁ নিজৰ ভিতৰত প্রতাৰণা
স্থাপন কৰে; ২৫ তেওঁ অমায়িভাবে কথা ক’ব, কিন্তু তেওঁক বিশ্বাস
নকৰিবা, কাৰণ তেওঁৰ হৃদয়ত ঘিণলগীয়া বস্তু সাতটা থাকে; ২৬
যদিও তেওঁৰ ঘৃণা কপটেৰে ঢকা, তথাপি তেওঁৰ দুষ্টতা সমাজত
প্রকাশিত হ’ব। ২৭ যি কোনোৱে খাল খানে, তেঁৱেই সেই খালত
পৰিব; আৰু যি কোনোৱে শিল ঠেলি পঠায়, তেওঁলৈ সেই শিল ঘূৰি
আহিব। ২৮ মিছলীয়া জিভাই দমন কৰা লোকক ঘিণ কৰে, আৰু
আত্মতৃপ্তিকৰ মুখে নিজলৈ বিনাশ আনে।

২৭ কাইলৈৰ বিষয়ে অহংকাৰ নকৰিবা; কাৰণ দিনটোত কি হ’ব,
সেই বিষয়ে তুমি নাজানা। ২ আনলোকে তোমাৰ প্রশংসা কৰক, কিন্তু
তোমাৰ নিজৰ মুখে নকৰক; অচিনাকী লোকে কৰক, কিন্তু তোমাৰ
নিজৰ ওঁঠে নকৰক। ৩ গধুৰ শিল, আৰু বালিৰ ওজনৰ গুৰুত্ব বিবেচনা
কৰা; কিন্তু অজ্ঞানী লোকৰ উত্তেজনা এই দুয়োটাতকৈ গধুৰ। ৪ ক্ৰোধ

নিষ্ঠুৰ, আৰু খং বানপানীৰ দৰে; কিন্তু ঈৰ্ষাৰ আগত কোনে থিয় হ'ব পাৰে? ৫ লুকুৱাই ৰখা প্ৰেমতকৈ, প্ৰকাশিত অনুযোগ ভাল। ৬ বন্ধুৰ দ্বাৰা বিশ্বাসঘাত হয়; কিন্তু এজন শত্ৰুৱে বহুতো চুমা খাব পাৰে। ৭ তৃপ্ত হোৱা জনে মৌ চাককো ঘিণ কৰে; কিন্তু ক্ষুধাতুৰ লোকৰ বাবে সকলো তিতা বস্তুও মিঠা। ৮ নিজৰ বাহৰ পৰা ভ্ৰমি ফুৰা চৰাই যেনে, নিজৰ থকা ঠাইৰ পৰা পথভ্ৰষ্ট হোৱা মানুহ তেনে। ৯ সুগন্ধ দ্ৰব্য আৰু ধূপে যেনেকৈ হৃদয় আনন্দিত কৰে, কিন্তু বন্ধুৰ পৰামৰ্শতকৈ তেওঁৰ আন্তৰিকতা শ্ৰেষ্ঠ। ১০ তোমাৰ বন্ধু আৰু তোমাৰ বন্ধুৰ পিতৃক পৰিত্যাগ নকৰিবা, আৰু তোমাৰ বিপদৰ দিনত ভায়েকৰ ঘৰলৈ নাযাবা। দূৰত থকা ভায়েকতকৈ ওচৰত থকা চুবুৰীয়াই ভাল। ১১ হে মোৰ পুত্ৰ, জ্ঞানৱান হোৱা, আৰু মোৰ হৃদয়ক আনন্দিত কৰা। তাৰ পাছত মই বিদ্ৰূপ কৰা সকলক উত্তৰ দিম। ১২ দূৰদৰ্শী লোকে বিপদ দেখি নিজকে লুকুৱায়; কিন্তু অশিক্ষিত লোকে আগুৱাই যায় আৰু ইয়াৰ বাবে ক্ষতিপূৰণ কৰিবলগীয়া হয়। ১৩ যি জনে অচিনাকী লোকৰ জামিন হয়, তেওঁৰ বস্ত্ৰ লোৱা; আৰু অচিনাকী লোকৰ বাবে নিৰাপত্তা স্বৰূপে ধন লোৱা। ১৪ যি কোনোৱে ৰাতিপুৱাতে উচ্চস্বৰে নিজৰ চুবুৰীয়াক আশীৰ্ব্বাদ কৰে, সেই আশীৰ্ব্বাদ শাও ৰূপেহে গণ্য হয়। ১৫ এজনী দ্বন্দুৰী ভাৰ্যা বৰষুণৰ দিনত টোপ টোপকৈ পানী পৰাৰ দৰে হয়। ১৬ তেওঁক দমন কৰা মানে বতাহক দমন কৰা, আৰু তোমাৰ সোঁ হাতত তেল ধৰাৰ দৰে হয়। ১৭ যেনেকৈ লোহাই লোহাক চোকা কৰে, তেনেকৈ এজন মানুহে নিজৰ বন্ধুৰ মুখ উজ্জ্বল কৰে। ১৮ যি জনে ডিমৰু গছক যত্ন কৰে, সেই জনে তাৰ ফল খাবলৈ পায়; আৰু যি জনে নিজৰ মালিকক সুৰক্ষা দিয়ে, তেওঁ সন্মান পায়। ১৯ পানীত যেনেকৈ মানুহৰ মুখৰ প্ৰতিবিম্ব দেখা যায়, তেনেকৈ মানুহৰ হৃদয়ে মানুহৰ প্ৰতিবিম্ব দেখুৱাই। ২০ চিয়োল আৰু আবদ্দোন যেনেকৈ কেতিয়াও সন্তুষ্ট নহয়, তেনেকৈ মানুহৰ চকুও কেতিয়াও সন্তুষ্ট নহয়। **(Sheol h7585)** ২১ ৰূপৰ বাবে ৰূপ গলোৱা পাত্ৰ, আৰু সোণৰ বাবে অগ্নিশাল; আৰু এজন মানুহক প্ৰশংসাৰ দ্বাৰাই পৰীক্ষা কৰা হয়। ২২ যদিও তুমি অজ্ঞানীক ঘেঁহু ধানৰ সৈতে খুন্দা, তথাপিও তেওঁৰ অজ্ঞানতা

দূৰ নহ'ব। ২৩ তোমাৰ পশু জাকৰ অৱস্থাৰ বুজলৈ তুমি নিশ্চিত
হোৱা, আৰু তোমাৰ পশুৰ জাকৰ বিষয়ে চিন্তাকৰা, ২৪ কিয়নো ধন-
সম্পত্তি চিৰস্থায়ী নহয়। আৰু কিৰীটিও জানো পুৰুষানুক্ৰমে থাকে?
২৫ ঘাঁহ শুকাই গৈ পুনৰ নতুন ঘাঁহ গজে, আৰু পৰ্ব্বতত পশুৰ বাবে
আহাৰ থাকে। ২৬ মেৰ-ছাগবোৰে তোমাৰ বস্ত্ৰৰ যোগান ধৰিব, আৰু
ছাগলীবোৰে তোমাৰ পথাৰৰ মূল্যৰ যোগান ধৰিব। ২৭ তোমাৰ
আৰু তোমাৰ পৰিয়ালৰ আহাৰৰ বাবে আৰু তোমাৰ দাসীসকলৰ
প্ৰতিপালনৰ বাবে ছাগলীবোৰে গাখীৰ দিব।

**২৮** কোনো লোকে খেদি নগলেও দুষ্টলোক দৌৰি পলায়; কিন্তু ন্যায়
কাৰ্য কৰা সকল যুৱা সিংহৰ দৰে সাহসী হয়। ২ দেশৰ আইন উলঙ্ঘনৰ
বাবে দেশত অনেক শাসনকৰ্তা হয়; কিন্তু জ্ঞানী আৰু বিবেচনা কৰা
লোকৰ দ্বাৰাই শাসন চিৰস্থায়ী হয়। ৩ যিজন দৰিদ্ৰ লোকে দৰিদ্ৰক
উপদ্ৰৱ কৰে, তেওঁ খাদ্য নষ্ট কৰা বৰষুণৰ দৰে। ৪ যিজনে বিধান
ত্যাগ কৰে, তেওঁ দুষ্টলোকক প্ৰশংসা কৰে, কিন্তু যিজনে বিধান পালন
কৰে, তেওঁ তেওঁলোকৰ বিৰুদ্ধে যুঁজ কৰে। ৫ দুষ্ট লোকে ন্যায়বিচাৰ
নুবুজে; কিন্তু যিজনে যিহোৱাক বিচাৰে, সেই জনে সকলো বুজি পায়।
৬ কুটিল পথত চলা ধনী মানুহতকৈ, ন্যায়পৰায়ণতাত চলা দৰিদ্ৰ
লোকেই শ্ৰেষ্ঠ। ৭ যি জনে বিধান পালন কৰে, তেওঁ সুবিবেচনা থকা
সন্তানৰ দৰে; কিন্তু যি জনৰ ভোজনবিলাসী সঙ্গী থাকে, তেওঁ নিজৰ
পিতৃক লাজ দিয়ে। ৮ যি কোনোৱে অধিক সুত লোৱাৰ দ্বাৰাই নিজৰ
ভবিষ্যতলৈ সম্পত্তি সাঁচে, সেই জনে দৰিদ্ৰ লোকক দয়া কৰা লোকৰ
বাবে সেই ধন সাঁচে। ৯ কোনোৱে যদি বিধানৰ কথা শুনাৰ পৰা
আঁতৰি থাকে, তেনেহ'লে তেওঁৰ প্ৰাৰ্থনাও ঘৃণিত হয়। ১০ যি কোনোৱে
ন্যায়পৰায়ণ লোকক কুপথত চলিবলৈ বিভ্ৰান্ত কৰে, তেনেহলে তেওঁ
নিজে খন্দা গাতত নিজে পৰে; কিন্তু নিৰ্দোষী লোকে ভাল উত্তৰাধিকাৰ
লাভ কৰে। ১১ ধনী লোক নিজৰ দৃষ্টিত জ্ঞানী হ'ব পাৰে; কিন্তু বিবেচনা
শক্তি থকা দৰিদ্ৰ লোকে তেওঁক বিচাৰি উলিয়াব। ১২ ন্যায় কাৰ্য কৰা
লোক যেতিয়া জয়ী হয়, তেতিয়া তাত মহাগৌৰৱ হয়, কিন্তু যেতিয়া
দুষ্ট লোকে উন্নতি কৰে, তেতিয়া লোকসকলে নিজকে লুকুৱাই থাকে।

১৩ যিজনে নিজৰ পাপ ঢাকি ৰাখে, তেওঁৰ উন্নতি নহব; কিন্তু যিজনে
নিজৰ পাপ স্বীকাৰ কৰি সেইবোৰ ত্যাগ কৰে, সেই জনে দয়া পাব।
১৪ যিজনে সদায় গভীৰ ভক্তিৰে জীৱন যাপন কৰে, সেই জন সুখী
হয়; কিন্তু যিকোনোৱে নিজৰ হৃদয় কঠিন কৰে, সেই জন সমস্যাত
পৰে। ১৫ গৰ্জ্জনকাৰী সিংহ আৰু আক্ৰমণকাৰী ভালুক যেনে, দৰিদ্ৰ
লোকৰ ওপৰত দুষ্ট শাসনকৰ্ত্তাও তেনে। ১৬ বিবেচনা শক্তি নথকা
শাসনকৰৰ্ত্তা অত্যাচাৰী হয়; কিন্তু যিজনে অসাধুতাক ঘিণ কৰে, তেওঁ
দীৰ্ঘজীৱি হয়। ১৭ যদি কোনো মানুহ আনৰ ৰক্তপাতত দোষীসাব্যস্ত
হয়, তেওঁ মৃত্যুলৈকে পলাই ফুৰে; আৰু কোনেও তেওঁক সহায় নকৰে।
১৮ যি কোনোৱে শুদ্ধ পথত চলে, তেওঁ ৰক্ষা পায়, কিন্তু যিজনে কুটিল
পথত চলে; তেওঁ হঠাৎ পতিত হয়। ১৯ যি কোনোৱে নিজৰ মাটিত
কাম কৰে, তেওঁ জোৰাওকৈ আহাৰ পায়, কিন্তু যিজন নিষ্কৰ্মা লোকৰ
অনুগামী হয়, সেই জনৰ প্ৰচুৰ পৰিমাণে অভাৱ হয়। ২০ বিশ্বাসী
লোকে বহুতো আশীৰ্ব্বাদ পায়; কিন্তু যিজন শীঘ্ৰে ধনী হয়, সেই
জনে দণ্ড নোপোৱাকৈ নাথাকে। ২১ পক্ষপাত কৰা ভাল নহয়; কিন্তু
এডোখৰ ৰুটিৰ বাবেও মানুহে ভুল কৰে। ২২ কৃপণ লোকে ধনী হ'বলৈ
অগ্ৰসৰ হয়; কিন্তু দৰিদ্ৰতা যে তেওঁৰ ওচৰলৈ আহি আছে, সেই বিষয়ে
তেওঁ নাজানে। ২৩ কথাৰে খুচামোদ কৰা লোকতকৈ, কোনো এজনক
অনুযোগ কৰা জনে পৰৱৰ্তি সময়ত অধিক অনুগ্ৰহ পায়। ২৪ যি
কোনোৱে নিজৰ পিতৃ আৰু মাতৃৰ ধন-সম্পত্তি অপহৰণ কৰি কয়,
“এয়া পাপ নহয়,” তেওঁ বিনাশকাৰীৰ সঙ্গী হয়। ২৫ লুভীয়া স্বভাৱৰ
লোকে বিবাদ উৎপন্ন কৰে; কিন্তু যিহোৱাত ভাৰসা কৰা লোকৰ উন্নতি
হয়। ২৬ যিজনে নিজৰ হৃদয়ত ভাৰসা কৰে, তেওঁ অজ্ঞানী হ'য়; কিন্তু
যি মানুহে প্ৰজ্ঞাৰ পথত চলে, তেওঁ বিপদৰ পৰা ৰক্ষা পায়। ২৭ যি
মানুহে দৰিদ্ৰক দান কৰে, তেওঁৰ অভাৱ নহয়; কিন্তু যি কোনোৱে
তেওঁলোকলৈ চকু মুদে, তেওঁ অধিক শাও পায়। ২৮ দুষ্টলোকৰ উন্নতি
হলে, মানুহে নিজকে লুকাই ৰাখে; কিন্তু দুষ্টলোক নষ্ট হলে, ন্যায় কাৰ্য
কৰা লোকৰ বৃদ্ধি হয়।

২৯ যি মানুহে বাৰে বাৰে অনুযোগ পায়ো নিজৰ ডিঙি ঠৰ কৰে,
সুস্থ হ'ব নোৱাৰাকৈ তেওঁ হঠাতে ভগ্ন হ'ব। ২ সৎ কাৰ্য কৰা লোক
যেতিয়া বৃদ্ধি পায়, তেতিয়া লোকসকল আনন্দ কৰে। কিন্তু যেতিয়া
এজন দুষ্টলোক শাসনকৰ্ত্তা হয়, তেতিয়া লোকসকল বিৰক্তি পায়।
৩ যি জনে প্ৰজ্ঞাক ভাল পায়, সেই জনে নিজৰ পিতৃক আনন্দিত
কৰে; কিন্তু যি কোনোৱে বেশ্যাসকলৰ সৈতে সঙ্গী হয়, তেওঁ নিজৰ
ধন-সম্পত্তি অপব্যয় কৰে। ৪ ৰজাই ন্যায় বিচাৰ কৰাৰ দ্বাৰাই দেশ
প্ৰতিষ্ঠা কৰে; কিন্তু যিজনে উপহাৰ দাবী কৰে, সেই জনে দেশ নষ্ট
কৰে। ৫ যি মানুহে নিজৰ চুবুৰীয়াক তোষামোদ কৰে, তেওঁ নিজৰ
ভৰিলৈ জাল পাতে। ৬ দুষ্ট লোক নিজৰ পাপৰ দ্বাৰাই ফান্দত পৰে;
কিন্তু সৎ কাৰ্য কৰে, সেই জনে হৰ্ষিত মনেৰে গীত গায়। ৭ ন্যায়
কাৰ্য কৰা লোকে দৰিদ্ৰ লোকৰ হৈ ওকালতি কৰে; কিন্তু দুষ্ট লোকে
সেই জ্ঞানৰ কথা বুজি নাপায়। ৮ নিন্দক লোকে নগৰত জুই জ্বলাই;
কিন্তু যি সকল জ্ঞানী, তেওঁলোকে ক্ৰোধৰ পৰা আঁতৰি থাকে। ৯
যেতিয়া অজ্ঞানী লোকৰ লগত জ্ঞানী লোকৰ বিবাদ হয়, তেতিয়া
তেওঁ ক্ৰোধিত হৈ হাঁহে, আৰু কোনো শান্তি লাভ নকৰে। ১০ নিৰ্দ্দোষী
লোকক ৰক্তপাতকাৰী সকলে ঘিণ কৰে; কিন্তু সৰল লোকসকলৰ প্ৰাণ
বিচাৰি ফুৰে। ১১ অজ্ঞানী লোকে নিজৰ মনৰ সকলো ভাব প্ৰকাশ
কৰে; কিন্তু জ্ঞানী লোকে নিজৰ মনৰ ভাব দমন কৰি শান্ত হৈ থাকে।
১২ যি শাসনকৰ্ত্তাই মিছা কথালৈ মনোযোগ দিয়ে, তেওঁৰ সকলো
কৰ্মচাৰী দুষ্ট প্ৰকৃতিৰ হয়। ১৩ দৰিদ্ৰ আৰু অত্যাচাৰী লোক দুয়ো
একেলগ হয়; আৰু যিহোৱাই দুয়ো জনৰ চকুত পোহৰ দিয়ে। ১৪
যদি ৰজাই সত্যতাৰে দৰিদ্ৰ লোকৰ বিচাৰ কৰে, তেতিয়া তেওঁৰ
সিংহাসন চিৰকালৰ বাবে প্ৰতিষ্ঠিত হয়। ১৫ চেকনী আৰু দোষাৰোপে
প্ৰজ্ঞা দিয়ে; কিন্তু শাসন নকৰা সন্তানে নিজৰ মাতৃক লাজ দিয়ে।
১৬ যেতিয়া দুষ্টলোক বৃদ্ধি হয়, তেতিয়া অপৰাধো বৃদ্ধি হয়; কিন্তু যি
সকলে ন্যায় কাৰ্য কৰে, তেওঁলোকে তেওঁলোকৰ পতন দেখা পাই। ১৭
তোমাৰ সন্তানক অনুশাসন কৰা; তাতে তেওঁ তোমাক শান্তি দিব, আৰু
তোমাৰ প্ৰাণক আনন্দিত কৰিব। ১৮ যি ঠাইত ভবিষ্য দৰ্শনৰ অভাৱ

থাকে, তাত লোকসকল অবাধ্য হয়; কিন্তু যিজনে বিধান পালন কৰে, সেই জন সুখী হয়। ১৯ কথাৰ দ্বাৰাই দাসক শুধৰাব নোৱাৰি; যদিও তেওঁ বুজি পায়, তথাপিও তেওঁ প্ৰতিক্ৰিয়া নকৰে। ২০ দ্ৰুতগতিত কথা কোৱা লোকক চোৱা; তেওঁতকৈ অজ্ঞানী লোকৰ অধিক আশা আছে। ২১ যি জনে নিজৰ দাসক যৌৱন কালৰে পৰা প্ৰশ্ৰয় দিয়ে, ইয়াৰ কাৰণে সেই দাসে শেষত সমস্যাত পেলায়। ২২ ক্ৰোধি লোকে বিবাদ সৃষ্টি কৰে, আৰু ক্ৰোধেৰে পৰিচালিত লোকে অধিক পাপ কৰে। ২৩ মানুহৰ অহঙ্কাৰে তেওঁক নত কৰায়; কিন্তু যিজনৰ নম্ৰ গুণ থাকে, তেওঁক সন্মান দিয়া হ'ব। ২৪ যি জনে চোৰৰ সৈতে অংশীদাৰ হয়, সেই জনে নিজৰ প্ৰাণক ঘিণ কৰে; শাও দিয়া শুনিও তেওঁ একো নকয়। ২৫ মানুহৰ ভয়েই তেওঁলৈ বিপদ আনে; কিন্তু যিজনে যিহোৱাত ভাৰসা কৰে, সেই জন নিৰাপদে থাকে। ২৬ অনেক লোকে শাসনকৰ্ত্তাৰ অনুগ্ৰহ বিচাৰে; কিন্তু তেওঁৰ বাবে যিহোৱাৰ পৰাহে ন্যায় আহে। ২৭ অন্যায়কাৰী মানুহ ন্যায় কৰা লোকসকলৰ বাবে ঘৃণনীয়; কিন্তু ন্যায়পৰায়ণ লোকৰ পথ দুষ্ট লোকৰ বাবে ঘৃণনীয়।

**৩০** যাকিৰ পুত্ৰ আগুৰে ঈশ্বৰীয় বচন কোৱা: এই মানুহে ঈথীয়েল আৰু উকালত ঘোষণা কৰে: ২ যি কোনো মনুষ্যতকৈ নিশ্চয় মই বহুত বেছি জন্তুৰ দৰে, আৰু মনুষ্যজাতিৰ বুজা শক্তি মোৰ নাই, ৩ আৰু মই প্ৰজ্ঞা শিকা নাই, নাইবা পবিত্ৰ জনাৰ বিষয়েও জ্ঞান পোৱা নাই। ৪ কোন স্বৰ্গলৈ উঠি গৈছিল, আৰু নামি আহিছিল? কোনে নিজৰ হাতৰ মুঠিত বতাহ ধৰিছিল? কোনে জল সমূহক বান্ধি লুকুৱাই ৰাখিছিল? কোনে পৃথিবীৰ সকলো সীমা স্থাপন কৰিছিল? তেওঁৰ নাম কি? আৰু তেওঁৰ পুত্ৰৰ নাম কি? নিশ্চয় তুমি জানা! ৫ ঈশ্বৰৰ প্ৰতিটো বাক্য প্ৰমাণিত, তেওঁত আশ্ৰয় লোৱা সকলৰ তেওঁ ঢাল হয়। ৬ তেওঁৰ বাক্যৰ লগত একো যোগ নিদিবা; নহ'লে তেওঁ তোমাক তিৰস্কাৰ কৰিব, আৰু তুমি মিছলীয়া বুলি প্ৰমাণিত হবা। ৭ মই তোমাৰ আগত দুটা বস্তু খুজিছোঁ; মোৰ মৃত্যু হোৱাৰ আগতে সেই বস্তু দুটা মোক দিবলৈ অমান্তি নহ'বা। ৮ অহংকাৰ আৰু মিছা কথা মোৰ পৰা দূৰ কৰা; মোক দৰিদ্ৰ নাইবা ধনৱান নকৰিবা; কেৱল মোৰ প্ৰয়োজনীয়

আহাৰ মোক দিয়া। ৯ কাৰণ মোৰ যদি অতিৰিক্ত থাকে, তেনেহ'লে মই তোমাক অস্বীকাৰ কৰিম আৰু ক'ম, "যিহোৱা নো কোন?" বা মই যদি দৰিদ্ৰ হওঁ আৰু চুৰ কৰোঁ, তেনেহ'লে মোৰ ঈশ্বৰৰ নাম মই অপবিত্ৰ কৰিম। ১০ দাসক তেওঁৰ মালিকৰ আগত নিন্দা নকৰিবা; কৰিলে তেওঁ তোমাক শাও দিব, আৰু তুমি দোষী বুলি গণিত হ'ব। ১১ এটা বংশ আছে, যি নিজৰ পিতৃক শাও দিয়ে, আৰু নিজৰ মাতৃক মহিমান্বিত নকৰে। ১২ সেই বংশই নিজে নিজৰ দৃষ্টিত শুদ্ধ; কিন্তু তেওঁলোকে নিজৰ কলুষিতা পৰিত্যাগ নকৰে। ১৩ সেই বংশ নিজৰ দৃষ্টিতে নিজে বহুত অহংকাৰী! আৰু তেওঁলোকে চকুৰ পিৰিঠি ওপৰ কৰি ৰাখে! ১৪ তেওঁলোক এনে বংশ; যিসকলৰ দাঁত তৰোৱালৰ দৰে, আৰু গালৰ হাড় ছুৰিৰ দৰে, সেয়ে তেওঁলোকে দেশৰ পৰা দৰিদ্ৰ সকলক আৰু মানুহৰ মাজৰ পৰা অভাৱী সকলক গ্ৰাস কৰিব পাৰে। ১৫ জোকৰ দুজনী জীয়েক আছে; "দিয়া দিয়া" বুলি তেওঁলোকে কান্দে। তিনিটা বিষয় আছে, যি কেতিয়াও সন্তুষ্ট নহয়, চতুৰ্থ বিষয়ে কেতিয়াও নকয় "যথেষ্ট হ'ল" ১৬ চিয়োল, বাঁজী তিৰোতাৰ গৰ্ভ, পানীৰ বাবে তৃষ্ণাতুৰ হোৱা মাটি, আৰু জুইয়ে কেতিয়াও নকয়, "যথেষ্ট হ'ল।" (Sheol h7585) ১৭ যি চকুৱে নিজৰ পিতৃক উপহাস কৰে, আৰু মাতৃৰ আজ্ঞা পালন কৰিবলৈ ঘিণ কৰে, তেওঁৰ চকু উপত্যকাৰ কাউৰীবোৰৰ দ্বাৰাই কাঢ়ি উলিওৱা হ'ব, আৰু শগুণে তেওঁক খাব। ১৮ ইয়াত তিনিটা বিষয় আছে, যি মোৰ বাবে অতি অদ্ভুত, চতুৰ্থ বিষয় মই বুজি নাপাওঁ: ১৯ ঈগলে আকাশত উৰে; সাপে শিলত বগায়; জাহাজে সমুদ্ৰৰ মাজত গতি কৰে, আৰু পুৰুষে মহিলাৰ সৈতে জীৱনধাৰণ কৰে। ২০ এইদৰে ব্যভিচাৰিণীৰ পথ; তেওঁ খাই আৰু মুখ মঁচে আৰু কয়, "মই কোনো ভুল কৰা নাই।" ২১ তিনিটা বিষয়ত পৃথিৱী কঁপে, আৰু চতুৰ্থ বিষয় সহিব নোৱাৰি: ২২ যেতিয়া এজন দাস ৰজা হয়; আৰু এজন মুৰ্খই আহাৰ খাই তৃপ্ত হয়; ২৩ ঘিণলগীয়া মহিলাই যেতিয়া বিবাহ হয়; আৰু এগৰাকী দাসীয়ে যেতিয়া নিজৰ গৃহিনীৰ স্থান লয়। ২৪ পৃথিৱীত চাৰিটা ক্ষুদ্ৰ বস্তু আছে; তথাপিও সেইবোৰ বহুত জ্ঞানী। ২৫ পৰুৱা শক্তিশালী প্ৰাণী নহয়, তথাপি সিহঁতে গ্ৰীষ্ম কালত সিহঁতৰ আহাৰ

যুগুত কৰে; ২৬ চাফন পশু শক্তিমান জীৱ নহয়, তথাপি সিহঁতে শিলৰ মাজত নিজৰ ঘৰ সাজে; ২৭ ফৰিংবোৰৰ ৰজা নাথাকে, তথাপি সিহঁত সকলোৱে শ্ৰেণী অনুসাৰে অতিক্ৰম কৰে; ২৮ জেঠীক তুমি তোমাৰ দুয়োখন হাতেৰে ধৰি ৰাখিব পাৰা; তথাপি সিহঁত ৰজাৰ অট্টালিকাত বাস কৰে। ২৯ নিজৰ দীঘল খোজৰ বাবে গৌৰৱ কৰা তিনিটা জীৱ আছে, চতুৰ্থবোৰ নিজৰ খোজ কঢ়াৰ ধৰণৰত গৌৰৱ কৰে। ৩০ জন্তুৰ মাজত শক্তিশালী সিংহ, আৰু ই কোনো বস্তুৰ পৰা আঁতৰি নাহে; ৩১ বুকু ফিন্দাই খোজ কঢ়া মতা কুকুৰা, মতা ছাগলী, আৰু সৈন্যসকলৰ কাষত থকা ৰজা। ৩২ তুমি যদি অজ্ঞানী হোৱা, তেনেহ'লে তুমি নিজকে প্ৰশংসা কৰা, বা যদি তুমি কু-কল্পনা কৰা, তেনেহ'লে তোমাৰ মুখত তোমাৰ হাত দিয়া। ৩৩ যিদৰে গাখীৰ মন্থন কৰিলে মাখন হয়, আৰু নাক মোহাৰিলে তেজ ওলায়, সেইদৰে ক্ৰোধে বিবাদ সৃষ্টি কৰে।

**৩১** ৰজা লমুৱেলৰ বাক্য; তেওঁৰ মাতৃয়ে তেওঁক ঈশ্বৰীয় বচন শিক্ষা দিয়া। ২ মোৰ পুত্ৰ কি? আৰু মোৰ গৰ্ভৰ পৰা জন্মা পুত্ৰ কি? আৰু মোৰ সঙ্কল্পৰ পুত্ৰ কি? ৩ তোমাৰ শক্তি মহিলাক নিদিবা, আৰু ৰজাক ধ্বংস কৰা সকলৰ পথত নচলিবা। ৪ হে লমুৱেল, এইটো ৰজাসকলৰ বাবে নহয়, ৰজাসকলৰ বাবে সুৰা পান কৰা উপযুক্ত নহয়; অথবা "সুৰা ক'ত আছে?" বুলি শাসনকৰ্ত্তাই সোধা অনুচিত; ৫ তেওঁলোকে পান কৰিব আৰু বিধানত কি আছে তাক পাহৰিব, আৰু সকলো দুৰ্দশাগ্ৰস্ত লোকৰ অধিকাৰক বিপথগামী কৰিব। ৬ বিনাশলৈ যোৱা জনক সুৰা দিয়া, আৰু বেদনাদায়ক যন্ত্ৰণাত ভুগি থকা সকলক দ্ৰাক্ষাৰস পান কৰোঁৱা। ৭ তেওঁ পান কৰিব আৰু নিজৰ দৰিদ্ৰতাক পাহৰিব, আৰু তেওঁৰ সমস্যাৰ কথা মনত নাথাকিব। ৮ কথা ক'ব নোৱাৰা সকলৰ বাবে কথা কোৱা, বিনাশ হোৱা সকলৰ কাৰণ সমূহৰ বাবে কথা কোৱা। ৯ আৰু ন্যায়ৰ জোখেৰে বিচাৰ কৰা, আৰু দৰিদ্ৰ আৰু অভাৱী লোকৰ বাবে আত্মসমৰ্থন কৰা। ১০ প্ৰতিভাসম্পন্ন ভাৰ্যা কোনে বিচাৰি পায়? মূল্যবান ৰত্নতকৈ তেওঁৰ মূল্য অতি অধিক। ১১ তেওঁৰ স্বামীৰ হৃদয়ে তেওঁত বিশ্বাস কৰে, আৰু তেওঁৰ স্বামীৰ কেতিয়াও অভাৱ নহয়। ১২ তেওঁ স্বামীৰ বাবে ভাল কাৰ্য কৰে, বেয়া

কাৰ্য নকৰে। ১৩ তেওঁ ঊণ আৰু শণ সূতা বাচি লয়, আৰু সেই সূতাৰে নিজ হাতেৰে আনন্দেৰে কাম কৰে। ১৪ তেওঁ বণিকৰ জাহাজৰ দৰে, তেওঁ বহুত দূৰৰ পৰা নিজৰ খোৱা বস্তু আনে, ১৫ তেওঁ ৰাতিপুৱা নহওঁতেই সাৰ পায়, আৰু ঘৰৰ সকলোকে খাবলৈ আহাৰ দিয়ে, আৰু তেওঁ নিজৰ দাসীসকলক কাম ভগাই দিয়ে। ১৬ তেওঁ খেতি পথাৰৰ বিষয়ে বিবেচনা কৰে, আৰু মাটি কিনি লয়; তেওঁ নিজৰ হাতৰ শ্ৰমৰ ফলেৰে দ্ৰাক্ষাবাৰী পাতে। ১৭ তেওঁ নিজৰ শক্তিৰে পোচাক পৰিধান কৰে, আৰু নিজৰ বাহু বলৱান কৰে। ১৮ তেওঁৰ বাবে লাভ জনক, তেওঁ তেনে বিষয় চিন্তা কৰে, আৰু গোটেই ৰাতি তেওঁৰ চাকি নুনুমায়। ১৯ তেওঁ টাকুৰি ঘুৰাবলৈ নিজৰ হাত মেলে, আৰু তেওঁ সূতা ঘূৰাই হাত দাঙি ৰাখে। ২০ তেওঁ দৰিদ্ৰ লোকলৈ নিজৰ হাত মুকলি কৰে, অভাবি লোকলৈ তেওঁ নিজৰ হাত মেলে। ২১ তেওঁ নিজৰ ঘৰৰ লোকৰ বাবে হিম পৰালৈ ভয় নকৰে; তেওঁৰ ঘৰৰ সকলো লোকে ৰঙা বৰণীয়া কাপোৰ পিন্ধে। ২২ তেওঁ নিজৰ বিছনাৰ বাবে বিছনা চাদৰ প্ৰস্তুত কৰে; তেওঁ মিহি শণ সুতাৰ বেঙুনীয়া ৰঙৰ পোচাক পিন্ধে। ২৩ যেতিয়া তেওঁ দেশত বৃদ্ধসকলৰ লগত বহে, তেতিয়া তেওঁৰ স্বামী সকলোৰে পৰিচিত হয়; ২৪ তেওঁ শণ সুতাৰ বস্ত্ৰ প্ৰস্তুত কৰে, আৰু বিক্ৰী কৰে, আৰু তেওঁ ব্যৱসায়ী সকলক পাগুৰিৰ কাপোৰ যোগান ধৰে। ২৫ তেওঁ বল আৰু সন্মানেৰে পোচাক পিন্ধে; তেওঁ আহিব লগা দিনৰ বাবে নিশ্চিন্ত হৈ হাঁহে। ২৬ তেওঁ প্ৰজ্ঞাৰ কথা ক'বলৈ নিজৰ মুখ মেলে; আৰু তেওঁৰ জিভাত দয়াৰ শিক্ষা থাকে। ২৭ তেওঁ নিজৰ ঘৰৰ লোকসকলৰ চালচলনলৈ দৃষ্টি ৰাখে, আৰু তেওঁ এলেহুৱাৰ আহাৰ নাখায়। ২৮ তেওঁৰ সন্তান সকলে সাৰ পায়, আৰু যি বস্তুৱে সিহঁতক সুখী কৰিব পাৰে, তেনে তেওঁ সিহঁতক দিয়ে। তেওঁৰ স্বামীয়ে তেওঁক প্ৰশংসা কৰি কয়, ২৯ “অনেক জীয়েকে ভাল কাৰ্য কৰে, কিন্তু তুমি তেওঁলোক সকলোকে অতিক্ৰম কৰিলা।” ৩০ সৌন্দৰ্য বিভ্ৰান্তিকৰ, লাৱণ্য মূল্যহীন, কিন্তু যিহোৱালৈ ভয় ৰখা মহিলা প্ৰশংসনীয়। ৩১ তেওঁৰ হাতৰ শ্ৰম অনুসাৰে তেওঁক ফল দিয়া, আৰু দুৱাৰত তেওঁৰ কামবোৰক প্ৰশংসা কৰা।

# উপদেশক

১ দায়ুদৰ পুত্ৰ, যিৰূচালেমত থাকি ৰাজত্ব কৰা উপদেশকৰ কথা। ২
উপদেশকে কৈছে, “অসাৰৰ অসাৰ! সকলোৱেই অসাৰ। ৩ সূৰ্যৰ
তলত মানুহে যি যি পৰিশ্ৰম কৰে, সেই সকলো পৰিশ্ৰমত তেওঁৰ কি
লাভ? ৪ এক পুৰুষ যায় আৰু এক পুৰুষ আহে; কিন্তু পৃথিৱী চিৰকাল
থাকে। ৫ সূৰ্য উদয় হয়, সূৰ্য অস্ত যায়; বেগেৰে নিজৰ উদয় স্থানলৈ
ঘূৰি গৈ পুনৰ উদয় হয়। ৬ বতাহ দক্ষিণ দিশলৈ বয়, আৰু চৌপাশে
ঘূৰি উত্তৰলৈ যায়; এইদৰে বতাহ নিজৰ পথত ঘূৰি থাকে, আৰু পুনৰ
নিজ চক্ৰলৈ উলটি আহে। ৭ সকলো নদী গৈ সমুদ্ৰত পৰে; তথাপি
সমুদ্ৰ কেতিয়াও পূৰ্ণ নহয়; নদীবোৰ যি ঠাইলৈ যায়, সেই ঠাইলৈকে
পুনৰায় একেৰাহে গৈ থাকে। ৮ সকলোবোৰ বিষয়েই বিৰক্তিকৰ,
তাৰ ব্যাখ্যা দিব পৰা মানুহৰ পক্ষে অসাধ্য। চকুৱে যিমানেই দৰ্শন
নকৰক, চকু তৃপ্ত নহয়; কাণে যিমানেই শ্ৰৱণ নকৰক, কাণ তৃপ্ত নহয়।
৯ যি হৈ গ’ল, সেয়ে পুনৰ হ’ব; যি কৰা হ’ল, তাক পুনৰ কৰা হ’ব;
সূৰ্যৰ তলত নতুন একোৱেই নাই। ১০ এনে কিবা আছেনে, যাৰ
বিষয়ে মানুহে ক’ব পাৰে যে, ‘চোৱা এইটো নতুন’? যি যি বিদ্যমান,
ইতিমধ্যে বহু দিন ধৰি আছিল, আমাৰ যুগৰ আগতেও বিদ্যমান
আছিল। ১১ অতীতত ঘটা বিষয়বোৰৰ কথা কাৰো মনত নাই; অনেক
পাছত যি ঘটিছিল, আৰু ভৱিষ্যতেও যি যি হ’ব, সেই বিষয়েও মানুহে
সোঁৱৰণ নকৰিব।” ১২ মই উপদেশক; মই যিৰূচালেমত ইস্ৰায়েলৰ
ওপৰত ৰজা আছিলোঁ। ১৩ আকাশৰ তলত যি যি কৰা হয়, তাক
জ্ঞানৰ দ্বাৰা পৰীক্ষা আৰু অনুসন্ধান কৰিবৰ কাৰণে মই মনতে স্থিৰ
কৰিলোঁ। মই দেখিলোঁ, ঈশ্বৰে মনুষ্যক ব্যস্ত ৰাখিবলৈ ই এক দুৰ্বহ
কাৰ্যভাৰ। ১৪ সূৰ্যৰ তলত যি যি কৰা হয়, সেই সকলোকে মই চালোঁ;
দেখিলোঁ, এই সকলো অসাৰ আৰু কেৱল বতাহক ধৰিবলৈ চেষ্টা
কৰাৰ নিচিনা। ১৫ যি বেঁকা তাক পোন কৰিব নোৱাৰি! যি অনুপস্থিত,
তাক গণনা কৰা অসাধ্য! ১৬ মই মনে মনে ক’লো, “মোৰ আগেয়ে
যিসকল যিৰূচালেমত আছিল, সেইসকল লোকতকৈ মই অধিক প্ৰজ্ঞা
অৰ্জন কৰিলোঁ; মোৰ মনে প্ৰজ্ঞা আৰু জ্ঞানৰ মহান অভিজ্ঞতা পালে।”

১৭ তাৰ পাছত মই প্ৰজ্ঞা, উন্মত্ততা আৰু মুৰ্খতা জানিবলৈ মনোযোগ
কৰিলোঁ; তাতে মই বুজিলো যে, ইও বতাহক ধৰিবলৈ চেষ্টা কৰা
মাত্ৰ। ১৮ কিয়নো প্ৰজ্ঞাৰ বাহুল্যতাত অধিক নৈৰাশ্যতা বাঢ়ে আৰু
যিজনে জ্ঞান বৃদ্ধি কৰে, তেওঁ দুখো বৃদ্ধি কৰে।

২ মই মোৰ হৃদয়ক ক'লোঁ, "আহঁা, মই আমোদ-প্ৰমোদেৰে তোমাক
পৰীক্ষা কৰি চাম; সেয়ে, এতিয়া সুখ উপভোগ কৰা।" কিন্তু দেখিলোঁ,
ইও কেৱল এক অস্থায়ী বতাহৰ দৰে অসাৰ আছিল। ২ মই হাঁহিৰ
বিষয়ে ক'লো, "ই বলিয়ালি," আনন্দৰ বিষয়ত "ই কি কৰিব পাৰে? ৩
আকাশৰ তলত, মানুহৰ কিছুদিনৰ জীৱনকালত তেওঁলোকৰ কাৰণে
কি ভাল, তাক মই দেখা নোপোৱালৈকে কেনেকৈ দ্ৰাক্ষাৰসেৰে মোৰ
শৰীৰক আনন্দিত কৰিম; কেনেকৈ মোৰ মনক অবিৰামে পৰিচালিত
কৰা প্ৰজ্ঞাৰে সৈতে অজ্ঞানতাক ধৰি ৰাখি উল্লাসিত হ'ম, মই মনতে
অন্বেষণ কৰি চালোঁ। ৪ মই কিছুমান মহৎ কাৰ্য কৰিলোঁ; মই নিজৰ
কাৰণে অনেক ঘৰ সাজিলোঁ আৰু দ্ৰাক্ষাবাৰী পাতিলো; ৫ মই ঠায়ে
ঠায়ে অনেক বাগিছা আৰু উদ্যান তৈয়াৰ কৰি তাত সকলো ধৰণৰ ফল
ধৰা গছ ৰুলোঁ; ৬ গছ উৎপন্ন হোৱা বাৰীত পানী দিবলৈ মই ঠায়ে
ঠায়ে পুখুৰী খান্দিলোঁ; ৭ মই অনেক দাস আৰু দাসীক কিনি ল'লো;
মোৰ ৰাজপ্ৰাসাদতো অনেক দাস-দাসীৰ জন্ম হৈছিল; মোৰ আগেয়ে
যিসকল যিৰূচালেমত আছিল, তেওঁলোক সকলোতকৈ মোৰ অনেক
বেছি গৰু-ছাগলী আৰু মেৰ-ছাগ আদি পশুধনৰ জাক আছিল; ৮ মই
অনেক ৰূপ আৰু সোণ, অন্যান্য ৰজাসকলৰ আৰু বিভিন্ন প্ৰদেশৰ ধন-
সম্পদ আনি নিজৰ কাৰণে জমা কৰিলোঁ; মোৰ কাৰণে অনেক গায়ক-
গায়িকা আৰু মাংসক সন্তোষ দিওঁতা অনেক উপপত্নী আছিল। ৯ মোৰ
আগেয়ে যিৰূচালেমত যিসকল আছিল, তেওঁলোকতকৈ মই অনেক
বেচি মহান আৰু ঐশ্বৰ্যশালী হ'লো। তেতিয়াও প্ৰজ্ঞা মোৰ লগত
আছিল। ১০ মোৰ চকুত যি ভাল লাগে, মই সেইবোৰৰ পৰা আতৰাই
নাৰাখিলোঁ; মই মোৰ মনক কোনো আমোদ-প্ৰমোদৰ পৰা আটক
নকৰিলোঁ, কিয়নো মোৰ সকলো কাৰ্যত মোৰ মনে আনন্দ কৰে; আৰু
আনন্দই মোৰ সকলো পৰিশ্ৰমৰ পুৰস্কাৰ আছিল। ১১ তাৰ পাছত মই

মোৰ হাতে যি যি কাৰ্য কৰিলে, আৰু তাক কৰিবলৈ মই যি পৰিশ্ৰম কৰিলোঁ, তাক চাই দেখিলোঁ যে, সেই সকলো অসাৰ; কেৱল বতাহক ধৰিবলৈ চেষ্টা কৰাৰ বাহিৰে একো নহয়; সূৰ্যৰ তলত একোতেই লাভ নাই। ১২ পাছত মই প্ৰজ্ঞা, বলিয়ালি আৰু অজ্ঞানতাৰ কথা চিন্তা কৰিলোঁ; ৰজাৰ পাছত যিজন পৰৱৰ্তী ৰজা আহিব, তেওঁ কি কৰিব পাৰে? কেৱল ইতিমধ্যে যি যি কৰা হৈছে, তাকেই কৰিব। ১৩ মই দেখিলোঁ, অন্ধকাৰতকৈ পোহৰ যেনেকৈ উত্তম, তেনেকৈ অজ্ঞানতকৈ প্ৰজ্ঞা উত্তম। ১৪ জ্ঞানী মানুহৰ মূৰত চকু থাকে; কিন্তু অজ্ঞান লোকে হ'লে অন্ধকাৰত ভ্ৰমণ কৰে; তথাপি মই এটাই বুজিলো যে, সকলোৰে শেষ দশা একে হয়। ১৫ তেতিয়া মই মনতে ক'লোঁ, অজ্ঞানলৈ যেনে দশা হয়, মোলৈকোতো তেনে দশাই হ'ব; তেনেহ'লে অধিক জ্ঞানী হৈ মোৰ কি লাভ হ'ল? মই মনতে ক'লোঁ, "ইও অসাৰ।" ১৬ মানুহে অজ্ঞানীক যেনেদৰে মনত নাৰাখে, তেনেদৰে জ্ঞানীকো বেছি দিন মনত নাৰাখে; ভবিষ্যতে তেওঁলোক দুয়োকে মানুহে পাহৰি যাব। অজ্ঞানীজন মৰাৰ দৰে জ্ঞানীও মৰে। ১৭ এই হেতুকে জীৱনলৈ মোৰ ঘৃণা উপজিল। কাৰণ সূৰ্যৰ তলত যি কৰা হয়, সেই সকলো কাৰ্য মোৰ পক্ষে দুখজনক; কিয়নো সকলোৱেই অসাৰ আৰু বতাহক ধৰিবলৈ চেষ্টা কৰা মাত্ৰ। ১৮ সূৰ্যৰ তলত মই যি যি পৰিশ্ৰম কৰিলোঁ, সেই সকলো পৰিশ্ৰমত মোৰ এতিয়া ঘিণ লাগিছে; কিয়নো মোৰ পাছত যিজন আহিব, তেওঁৰ বাবেইতো তাৰ ফল থৈ যাব লাগিব। ১৯ সেই লোক জ্ঞানী নে অজ্ঞানী হ'ব, তাক কোনে জানে? তথাপি তেৱেঁই মোৰ সকলো কাৰ্যৰ ফল ভোগ কৰিব, কিয়নো তেওঁৰ বাবেই মই সূৰ্যৰ তলত পৰিশ্ৰম কৰিছোঁ আৰু জ্ঞানৰ পৰিচয় দিলোঁ। ইও অসাৰ। ২০ এই হেতুকে সূৰ্যৰ তলত মই যি যি পৰিশ্ৰম কৰিলোঁ, তাৰ বাবে মোৰ মন নিৰাশ হবলৈ ধৰিলে। ২১ কিয়নো কোনো মানুহে প্ৰজ্ঞা, জ্ঞান, আৰু দক্ষতাৰে পৰিশ্ৰম কৰিব পাৰে; কিন্তু পাছত তেওঁৰ সকলোখিনি এনে এজনৰ কাৰণে ৰাখি যাব লগা হয়, যি মানুহে তাৰ বাবে কোনো পৰিশ্ৰমেই কৰা নাই। ইও অসাৰ আৰু এক অতি দুখৰ কথা। ২২ সূৰ্যৰ তলত মানুহে যি যি কঠোৰ পৰিশ্ৰম কৰে আৰু মনৰ চাপ লয়, তাৰ

ফলত তেওঁৰ কি লাভ হয়? ২৩ প্ৰত্যেক দিনা তেওঁৰ কামত দুখ আৰু
বিৰক্তি থকে; এনেকি ৰাতিও তেওঁৰ মনে বিশ্ৰাম নাপায়। ইও অসাৰ।
২৪ তেন্তে মানুহৰ পক্ষে ভোজন-পান কৰা আৰু নিজ পৰিশ্ৰমত সন্তুষ্ট
হৈ থকাৰ বাহিৰে উত্তম একোকে নাই। মই দেখিলোঁ যে এই সকলো
ঈশ্বৰৰ হাতৰ পৰাহে আহে। ২৫ কাৰণ ঈশ্বৰে নিদিলে কোনে মোক
বাদ দি খাব পাৰে অথবা কোনে যি কোনো ধৰণৰ আনন্দ ভোগ কৰিব
পাৰে? ২৬ যি মানুহে ঈশ্বৰক সন্তুষ্ট কৰে, তেওঁক তেওঁ প্ৰজ্ঞা, জ্ঞান,
আৰু আনন্দ দান কৰে; কিন্তু তেওঁ পাপীক হ'লে, ধন-সম্পদ গোটোৱা
আৰু জমা কৰাৰ কাৰ্য দিয়ে, যাতে তেওঁ ঈশ্বৰক সন্তুষ্ট কৰা লোকক
দিব পাৰে। ইও অসাৰ আৰু বতাহক ধৰিবলৈ চেষ্টা কৰা মাত্ৰ।

৩ প্ৰত্যেক বিষয়ৰ কাৰণে এক এক সময় আছে; আকাশৰ তলত
প্ৰত্যেকটো কাৰ্যৰ একোটা নিৰ্দিষ্ট সময় আছে। ২ জন্মৰ যেনেকৈ এক
সময় আছে, মৃত্যুৰো তেনেকৈ সময় আছে; ৰোপণৰ সময় আছে আৰু
উঘালি পেলাবৰো সময় আছে। ৩ বধ কৰা আৰু সুস্থ কৰাৰ এক নিৰ্দিষ্ট
সময় আছে। ভাঙি পেলোৱাৰ যেনেকৈ সময় আছে, তেনেকৈ গঢ়িবৰো
সময় আছে। ৪ কান্দিবৰ সময় আৰু হাঁহিবৰ সময় আছে; শোক
কৰাৰ সময় আৰু নাচিবৰ সময় আছে। ৫ শিল দলিয়াবৰ আৰু শিল
গোটাবৰো সময় আছে। আঁকোৱালি লোৱাৰ সময় আৰু আঁকোৱালি
ধৰাৰ পৰা আতৰি থকাৰ সময় আছে। ৬ বস্তু বিচাৰিবৰ সময় আছে,
পুনৰ নিবিচৰাৰো এক সময় আছে। বস্তু ৰাখি থোৱা আৰু পেলাবৰো
এক এক সময় আছে। ৭ কাপোৰ ফালিবৰ সময় আৰু চিলাই কৰাৰ
সময় আছে; মনে মনে থকাৰ সময় আৰু কথা মৈদাম সময় আছে। ৮
ভালপোৱাৰ সময় আৰু ঘৃণা কৰাৰ সময় আছে; যুদ্ধ কৰাৰ এক সময়
আছে আৰু শান্তি ৰক্ষা কৰাৰো সঠিক সময় আছে। ৯ শ্ৰমিকে তেওঁৰ
পৰিশ্ৰমৰ কি ফল লাভ কৰে? ১০ ঈশ্বৰে মনুষ্যক সম্পূৰ্ণ কৰিবলৈ যি
কাম দিছে, তাক মই দেখিলোঁ। ১১ নিজ নিজ উপযুক্ত সময়ৰ বাবে
ঈশ্বৰে সকলোবোৰ ঠিক কৰি ৰাখিছে। তেওঁ মানুহৰ হৃদয়বোৰত
অনন্ত কাল ৰাখিছে। তথাপিও আদিৰ পৰা অন্তলৈকে ঈশ্বৰে যি যি
কাম কৰিছে মানুহে তাক বুজিব পৰা নাই। ১২ মই জানিলোঁ যে,

মানুহৰ বাবে জীৱন কালত আনন্দ আৰু সৎকৰ্ম কৰাৰ বাহিৰে ভাল
একো নাই। ১৩ইও ঈশ্বৰৰ দান। প্ৰত্যেক মানুহে খোৱা-বোৱা কৰি
সকলো কাৰ্যতে সন্তুষ্ট হৈ থকা উচিত। ১৪মই জানো যে, ঈশ্বৰে যি যি
কৰে, সেই সকলো চিৰকাল থাকে; তাক বঢ়াবও নোৱাৰি বা কমাবও
নোৱাৰি; ঈশ্বৰে এনেদৰে কৰিলে যাতে মানুহে তেওঁক ভয় কৰে। ১৫
যি যি আছে, সেয়ে পূৰ্বেও আছিল; যি যি হব, সেয়াও পূৰ্বে আছিল; যি
হৈ গ'ল, ঈশ্বৰে পুনৰ তাকেই বিচাৰে। ১৬মই সূৰ্যৰ তলত আৰু এক
বিষয় দেখিলোঁ যে, ন্যায় বিচাৰ আৰু ধাৰ্মিকৰ্তাৰ ঠাইত দুষ্টতা আছে।
১৭মই মনতে ক'লো, “ঈশ্বৰে ধাৰ্মিক আৰু দুষ্ট এই দুজনৰে বিচাৰ
কৰিব; কাৰণ ঈশ্বৰৰ ওচৰত প্ৰত্যেক বিষয় আৰু কৰ্মৰ বাবে এক
নিৰ্দিষ্ট সময় আছে।” ১৮মই মনতে ক'লো, “ঈশ্বৰে লোকসকলক
যেন পৰীক্ষা কৰি বুজিবলৈ দিয়ে যে, তেওঁলোক নিজে পশুতুল্য।” ১৯
কাৰণ মানুহলৈ যি ঘটে সেয়ে পশুলৈকো ঘটে; পশু যেনেকৈ মৰে,
মানুহো মৰে। উভয়ে একে বায়ু.ৰ শ্বাস-প্ৰশ্বাস লয়; সেয়ে পশুতকৈ
মানুহৰ কোনো প্ৰাধান্য নাই; কিয়নো একোৱেই স্থায়ী নহয়। ২০
সকলোৱেই একে মাটিলৈকে যায়; সকলোৱেই ধুলিৰ পৰা আহিছে
আৰু ধুলিলৈকে উলটি যায়। ২১মানুহৰ প্ৰাণবায়ু যে উৰ্দ্ধগামী হয়
আৰু পশুৰ প্ৰাণবায়ু যে মাটিৰ তললৈ অধোগামী হয়, তাক কোনে
জানে? ২২মই আকৌ উপলব্ধি কৰিলোঁ যে, নিজৰ কাৰ্যত সন্তুষ্ট
হোৱাৰ বাহিৰে মানুহৰ বাবে আন একোৱেই ভাল নাই; কিয়নো এয়ে
মানুহৰ কাৰ্য। কাৰণ মানুহৰ মৃত্যুৰ পাছত কি ঘটিব, তাক দেখুৱাবলৈ
কোনে তেওঁক ঘূৰাই আনিব?।

**4** পুনৰ মই সূৰ্যৰ তলত যি সকলো উপদ্ৰৱ হয়, সেইবোৰলৈ এবাৰ
চালোঁ। চোৱা, উপদ্ৰৱ পোৱা লোকসকলে কান্দিছে, কিন্তু তেওঁলোকক
শান্তনা দিওঁতা কোনো নাই; যিসকলে উপদ্ৰৱ কৰে, তেওঁলোকৰ
হাতত ক্ষমতা আছে; কিন্তু উপদ্ৰৱ পোৱাসকলক শান্তনা দিওঁতা কোনো
নাই। ২সেয়ে মই ভাবিলোঁ, যিসকল বৰ্ত্তমান জীয়াই আছে, সেই
জীৱিতসকলতকৈ যিসকলৰ আগেয়ে মৃত্যু হ'ল, তেওঁলোক অধিক
সৌভাগ্যশালী। ৩কিন্তু এই দুজনতকৈ সেইজন বেছি সৌভাগ্যশালী

যিজনৰ এতিয়াও জন্ম হোৱা নাই আৰু সূৰ্যৰ তলত যি দুষ্ট কাৰ্য
কৰা হয়, তাক দেখা নাই। ৪ তাৰ পাছত মই দেখিলোঁ, সকলো
পৰিশ্ৰমৰ কাৰ্য আৰু সকলো দক্ষ কাৰ্যক্ষম এজন লোকৰ প্ৰতি আন
জনৰ হিংসাভাৱ থকাৰ পৰাই হয়। ইয়ো অসাৰ; কেৱল বতাহক
ধৰিবলৈ চেষ্টা কৰাৰ বাহিৰে একো নহয়। ৫ অজ্ঞান লোকে হাত
সাৱটি একো নকৰাকৈ থাকে, তেওঁলোকে নিজকে ধ্বংস কৰে। ৬
বতাহক ধৰাৰ চেষ্টা কৰি পৰিশ্ৰমেৰে দুই মুঠি লাভ কৰাতকৈ শান্তিৰে
সৈতে এমুঠি পোৱাই অনেক ভাল। ৭ পাছত মই পুনৰ সূৰ্যৰ তলত
অসাৰতা দেখিলোঁ। ৮ কোনো এজন মানুহ একেবাৰে অকলশৰীয়াকৈ
থাকে, তেওঁৰ দ্বিতীয়জন বুলিবলৈ কোনো নাই; এনেকি তেওঁৰ পুত্ৰও
নাই, ভাই-ককাই কোনো নাই; তথাপিও তেওঁৰ পৰিশ্ৰমৰ শেষ নাই
আৰু ধন-সম্পত্তি লাভৰ বিষয়ত তেওঁৰ চকু তৃপ্ত নহয়। তেওঁ সুধে,
“তেন্তে মই কাৰ নিমিত্তে পৰিশ্ৰম কৰিছোঁ? কিয় আমোদ-প্ৰমোদৰ
পৰা নিজক বঞ্চিত কৰিছোঁ?” ইও অসাৰ, অতি দুখজনক অৱস্থা। ৯
এজনতকৈ দুজন ভাল, কিয়নো তেওঁলোকৰ পৰিশ্ৰমৰ দ্বাৰাই অনেক
সুফল হয়। ১০ কাৰণ তেওঁলোকৰ এজন যদি পৰে, তেন্তে তেওঁৰ
সঙ্গীয়ে তেওঁক তুলিব পাৰে। কিন্তু হায় সেই অকলে থকা লোক!
কিয়নো তেওঁ পৰিলে তেওঁক তুলিবলৈ দ্বিতীয়জন কোনো নাই। ১১
তাৰ উপৰি দুজনে একেলগে শুলে উম পায়; কিন্তু এজনে অকলে
কেনেকৈ উম পাব? ১২ যিজন অকলশৰীয়া তেওঁ সহজে পৰাজয়
হ’ব পাৰে, কিন্তু দুজনে আক্ৰমণক প্ৰতিৰোধ কৰিব পাৰে। তিনিডাল
ৰছী একেলগে মেৰাই ল’লে বেগাই নিছিগে। ১৩ এজন অজ্ঞান বৃদ্ধ
ৰজা, যিজনে কোনো সতৰ্কবাণীলৈ কাণ নিদিয়ে আৰু নুবুজেও, তেনে
ৰজাতকৈ বৰং দৰিদ্ৰ অথচ জ্ঞানী যুবকেই শ্ৰেয়। ১৪ সেই যুবক দেশৰ
ৰজা হ’বলৈ কাৰাগাৰৰ পৰাও ওলাই আহিব পাৰে নাইবা তেওঁ নিজৰ
ৰাজ্যৰ এক দৰিদ্ৰ পৰিয়ালতো জন্ম গ্ৰহণ কৰিব পাৰে। ১৫ মই
দেখিলোঁ যে, যি সকলো জীয়াই আছিল অৰ্থাৎ সূৰ্যৰ তলত চলা-ফুৰা
কৰি আছিল, তেওঁলোকে সেই বৃদ্ধ ৰজাজনৰ পদত অধিষ্ঠিত হোৱা
যুবক ৰজাজনক অনুসৰণ কৰি চলিল। ১৬ এই নতুন ৰজাই নেতৃত্ব

দিয়া লোকসকলৰ সীমা নাছিল; কিন্তু পাছত তেওঁলোকৰ অনেকেই তেওঁৰ ওপৰত সন্তুষ্ট নাছিল। ইও অসাৰ, আৰু কেৱল বতাহক ধৰিবলৈ চেষ্টা কৰাৰ নিচিনা হয়।

৫ ঈশ্বৰৰ গৃহলৈ যোৱা কালত তোমাৰ ভৰি সাৱধানে ৰাখিবা। যিসকলে নিজে কৰা অন্যায় কামবোৰ বুজি নাপায়, তেনে অজ্ঞানী লোকৰ দৰে বলিদান কৰাতকৈ বৰং তাত শুনিবলৈ ওচৰ চপাই ভাল। ২ তোমাৰ মুখে কেতিয়াও বেগা-বেগীকৈ কথা নকওঁক। ঈশ্বৰৰ আগত বেগা-বেগীকৈ কোনো কথা উচ্চাৰণ নকৰিবা; কিয়নো ঈশ্বৰ স্বৰ্গত আৰু তুমি পৃথিবীত আছা; এই হেতুকে তোমাৰ কথা যেন অলপ হয়। ৩ অধিক কাৰ্যৰ ভাৰ-চিন্তা থাকিলে মানুহে যেনেকৈ সপোন দেখে, তেনেকৈ আৰু অধিককৈ কথা ক'লে অজ্ঞানতা প্ৰকাশ পায়। ৪ ঈশ্বৰৰ আগত সংকল্প কৰিলে, তাক সিদ্ধ কৰিবলৈ পলম নকৰিবা; কিয়নো তেওঁ অজ্ঞানসকলত সন্তোষ নাপায়। তুমি যি সংকল্প কৰা, তাক সিদ্ধ কৰা। ৫ সেয়ে সংকল্প কৰি সিদ্ধ নকৰাতকৈ সংকল্প নকৰাই ভাল। ৬ তোমাৰ মুখে যেন তোমাৰ শৰীৰক পাপৰ পথলৈ লৈ নাযায়; “মোৰ সংকল্প কৰা ভুল হ'ল” এই কথা প্ৰাৰ্থনা গৃহৰ পুৰোহিতৰ আগত নকবা; মিছা সংকল্পৰে তোমাৰ কথাৰ কাৰণে তোমাৰ হাতৰ কাৰ্য নষ্ট কৰিবলৈ ঈশ্বৰক কিয় ক্ৰোধিত কৰা? ৭ কিয়নো অধিক সপোন আৰু অধিক কথাৰ সৈতে অসাৰতা আহে; কিন্তু তুমি ঈশ্বৰক ভয় কৰিবা। ৮ তোমাৰ এলেকাত যদি কোনো দৰিদ্ৰক অত্যাচাৰ কৰা দেখা নাইবা কোনোবাই ন্যায় বিচাৰ আৰু নায্য অধিকাৰ নোপোৱা যেন দেখা, তেন্তে সেই কথাত আচৰিত নামানিবা; কিয়নো উচ্চ পদত থাকোঁতা ক্ষমতাশালী লোকসকলে তেওঁলোকৰ অধীনত থকাসকলৰ ওপৰত দৃষ্টি ৰাখে আৰু তেওঁলোকৰ ওপৰতো আন উচ্চতম পদত লোক আছে। ৯ কিন্তু ভূমিত উৎপাদন কৰিবলৈ এজন ৰজা থাকিলে এখন দেশৰ বাবে সকলোপ্ৰকাৰে এক লাভ হয়। ১০ যি মানুহে ধন-ৰূপ ভাল পায়, তেওঁ কেতিয়াও ধন-ৰূপত তৃপ্ত নহয়; যি মানুহে অধিক ধন-সম্পত্তি বিচাৰে, তেওঁ আয়ত তৃপ্ত নহয়। ইও অসাৰ। ১১ ধন-সম্পত্তি বাঢ়িলে খাওঁতাও বাঢ়ে; এতেকে তাক চকুৰে দেখাৰ বাহিৰে

সেই সম্পত্তিত গৰাকীৰ কি লাভ? ১২ যি জনে পৰিশ্ৰম কৰে, তেওঁ
কম খাওঁক বা বেচি খাওঁক, তেওঁৰ টোপনি ভাল হয়। কিন্তু ধনৱানৰ
অধিক ধন-সম্পত্তিয়ে তেওঁক টোপনি যাব নিদিয়ে। ১৩ সূৰ্যৰ তলত
মই এক ভীষণ দুখৰ বিষয় দেখিলোঁ: ঐশ্বৰ্যৰ গৰাকীয়ে নিজৰ দুৰ্দশাৰ
কাৰণেহে ধন জমা কৰি ৰাখে। ১৪ দুৰ্ঘটনাত সেই ধন ধ্বংস হৈ যায়।
তাতে তেওঁৰ পুত্ৰৰ কাৰণে একোৱেই নাথাকে। ১৫ মাকৰ গৰ্ভৰ পৰা
মনুষ্য যেনেকৈ উদঙে আহে, তেনেকৈ তেওঁ উদঙে এই জীৱন এৰি
পুনৰায় গুছি যায়। নিজৰ পৰিশ্ৰমৰ একোৱেই তেওঁ হাতত লৈ যাব
নোৱাৰে। ১৬ ইও এক ভীষণ দুখৰ বিষয় যে, এজন ব্যক্তি যেনেকৈ
আহে, তেনেকৈয়ে গুছি যায়; সেয়ে তেওঁৰ কি লাভ? তেওঁতো বতাহক
ধৰিবলৈহে পৰিশ্ৰম কৰে। ১৭ তেওঁ অতি পীড়িত হৈ ৰোগ-ব্যাধি আৰু
খঙেৰে জীৱন কটায় আৰু গোটেই জীৱনকাল আন্ধাৰত বসবাস কৰে।
১৮ তাৰ পাছত মই উত্তম আৰু উপযুক্তভাৱে থাকিবৰ বাবে ইয়াকে
বুজিব পাতিলোঁ: ঈশ্বৰে যি কেইটা দিন মানুহক জীয়াই থাকিবলৈ
দিছে, সেই সকলো দিনত খোৱা-বোৱা কৰি থাকিবলৈ আৰু সূৰ্যৰ
তলত কৰা সকলো পৰিশ্ৰমেৰে সৈতে সন্তুষ্ট উপভোগ কৰিবলৈ দিছে;
কিয়নো এয়ে আমাৰ কাৰ্য। ১৯ তেনেকৈয়ে ঈশ্বৰে কোনো মানুহক
ধন-সম্পত্তি দিয়ে আৰু সেইবোৰ ভোগ কৰিবলৈ দিয়ে; নিজৰ কাৰণে
প্ৰাপ্যৰ অংশ পাবলৈ সমৰ্থৱান কৰে আৰু নিজৰ পৰিশ্ৰমত আনন্দ
কৰিবলৈ দিয়ে; এই সকলোও ঈশ্বৰৰ এক দান। ২০ তেওঁ নিজৰ
আয়ুসৰ দিনবোৰৰ কথা মনলৈ নানে, কিয়নো ঈশ্বৰে তেওঁৰ মনত
আনন্দ দি তেওঁক ব্যস্ত ৰাখে।

৬ মই সূৰ্যৰ তলত আন এক দুখৰ বিষয় দেখিলোঁ; সেয়ে মানুহৰ
পক্ষে অতি কষ্টকৰ। ২ ঈশ্বৰে কোনো কোনোক ইমান ধন-সম্পত্তি আৰু
সন্মান দান কৰে যে, তেওঁৰ অভিলাষৰ একো বস্তুৰে অভাৱ নাথাকে;
তথাপিও ঈশ্বৰে তেওঁক ভোগ কৰিবৰ ক্ষমতা নিদিয়ে; আন লোকে
তেওঁৰ বস্তুবোৰ ভোগ কৰে। ইও অসাৰ আৰু ভীষণ দুঃখজনক। ৩
কোনো লোকৰ এশজন সন্তান থাকিব পাৰে আৰু তেওঁ অনেক দিন
ধৰি জীয়াও থাকিব পাৰে, কিন্তু তেওঁৰ হৃদয়ে যদি জীৱনত সন্তোষ

নাপায় আৰু সন্মানেৰে সৈতে যদি তেওঁৰ মৈদাম নহয়, তেন্তে সেই লোক যিমান বছৰেই জীয়াই নাথাকক কিয়, মই কওঁ তেওঁতকৈ বৰং মৃত কেঁচুৱাৰ জন্ম হোৱাই অনেক ভাল। ৪ সেই মৃত সন্তানে বৃথাই আহি আন্ধাৰতেই বিদায় লয় আৰু সেই কেঁচুৱাৰ নাম নাইকিয়া হৈ যায়। ৫ যদিও এই কেঁচুৱাটিয়ে কেতিয়াও সূৰ্য দেখা নাপায় অথবা একোকে নাজানে, তথাপিও সেই ধনী মানুহতকৈ সি অধিক বিশ্ৰাম পায়। ৬ এনেকি, যদি কোনো লোক দুই হাজাৰ বছৰো জীয়াই থাকে, কিন্তু জীৱনত সুখ নাপায়, তেন্তে তাৰ কি লাভ? সকলোৱেই জানো একে ঠাইলৈকে নাযায়? ৭ মানুহৰ সকলো পৰিশ্ৰমেই তেওঁৰ পেটৰ কাৰণে, তথাপিও তেওঁৰ ভোক কেতিয়াও নপলায়। ৮ অজ্ঞানতকৈ জ্ঞানী লোকৰ সুবিধা কি? আন লোকসকলৰ আগত কিদৰে চলিব লাগে, তাক জানিলে এজন দৰিদ্ৰৰ কি লাভ হয়? ৯ অধিক পোৱাৰ বাসনাতকৈ বৰং চকুৰে যি দেখা পায়, তাতে সন্তুষ্ট থকা ভাল। ইও অসাৰ, কেৱল বতাহক ধৰিবলৈ চেষ্টা কৰা হয়। ১০ যি যি আছে, তাৰ নাম আগেয়ে দিয়া হৈছে; মানুহনো কি, তাকো জনা গৈছে যে তেওঁলোকে নিজতকৈ যি জনা শক্তিশালী, তেওঁৰ লগত যুঁজ কৰিব নোৱাৰে। ১১ যিমানে বেছি কথা কোৱা হয়, সিমানে অসাৰতা বাঢ়ে; তাৰ দ্বাৰাই মানুহৰ কি লাভ? ১২ মানুহৰ অসাৰ জীৱনকালত তেওঁৰ কাৰণে কি ভাল তাক কোনে জানে? তেওঁতো নিজৰ অল্পস্থায়ী দিনবোৰ এক ছাঁয়াৰ দৰে কটায়। তেওঁ গুছি যোৱাৰ পাছত সূৰ্যৰ তলত কি ঘটিব তাক কোনে তেওঁক ক'ব পাৰিব?

**৭** সুগন্ধি মূল্যৱান তেলতকৈ সুনাম উত্তম, জন্মৰ দিনতকৈ মৰণৰ দিন ভাল। ২ ভোজনৰ ঘৰলৈ যোৱাতকৈ শোকৰ ঘৰলৈ যোৱা ভাল; কিয়নো জীৱনৰ শেষত সকলো মানুহৰে মৃত্যু আহিব, জীৱিত লোকে এই কথা তাক মনত ৰখা উচিত। ৩ হাঁহিতকৈ দুখ ভোগ ভাল। কাৰণ মুখৰ বিষন্নতাৰ দ্বাৰাই হৃদয়ক আনন্দিত কৰা হয়। ৪ জ্ঞানৱানৰ হৃদয় শোকৰ ঘৰত থাকে; কিন্তু অজ্ঞানী লোকৰ হৃদয় কেৱল আমোদ-প্ৰমোদৰ ঘৰত থাকে। ৫ অজ্ঞানীৰ প্ৰশংসাৰ গান শুনাতকৈ জ্ঞানৱানৰ তিৰস্কাৰ শুনাই ভাল। ৬ কেৰাহীৰ তলত জ্বলন্ত কাঁইট খৰিৰ ফুটফুটনি

যেনেকুৰা, মূৰ্খৰ হাঁহিও ঠিক তেনেকুৰা; ইও অসাৰ। ৭ অন্যায়ভাৱে দাবী কৰা জ্ঞানী লোক স্বৰূপেই মূৰ্খ হৈ যায়; ভেঁটিয়ে বিবেচনা-শক্তি নষ্ট কৰে। ৮ কোনো কাৰ্যৰ আৰম্ভণতকৈ তাৰ শেষ ভাল, আৰু অহংকাৰী আত্মাতকৈ ধৈৰ্যশীল আত্মা ভাল। ৯ তোমাৰ আত্মাক হঠাৎ খং উঠিবলৈ নিদিবা; কিয়নো খং অজ্ঞানীবোৰৰ হৃদয়ত বাস কৰে। ১০ বৰ্ত্তমান কালতকৈ আগৰ কাল কিয় ভাল আছিল? এনে কথা নুসুধিবা; কিয়নো এই প্ৰশ্ন কৰা প্ৰজ্ঞাৰ কাম নহয়। ১১ পৈত্ৰিক ধন-সম্পত্তি পোৱাৰ দৰে প্ৰজ্ঞা বহুমূল্য উত্তম বস্তু। পৃথিৱীত ভালদৰে জীৱিত থকা লোকসকল। ১২ কিয়নো ধনৰ দৰে প্ৰজ্ঞায়েও নিৰাপত্তা দান কৰে। কিন্তু জ্ঞানৰ সুবিধা হৈছে এয়ে যে, জ্ঞানৱানৰ জ্ঞানেই তেওঁৰ জীৱন ৰক্ষা কৰে। ১৩ ঈশ্বৰৰ কাৰ্যবোৰ ভাৱি চোৱা; কিয়নো তেওঁ যিহক বেঁকা কৰিছে, তাক কোনে পোনাব পাৰে? ১৪ সুখৰ দিনত সুখী হোৱা; কিন্তু দুখৰ দিনত এই কথা বিবেচনা কৰি চাবা: ঈশ্বৰে যেনেকৈ সুখ ৰাখিছে, তেনেকৈ দুখকো ওচৰা-ওচৰিকৈ ৰাখিছে। সেয়ে মানুহে নিজৰ ভৱিষ্যতৰ একো কথাকে নাজানে। ১৫ মোৰ এই অসাৰ জীৱনকালত মই অনেক বিষয় দেখিলোঁ। কোনো কোনো ধাৰ্মিক লোক নিজৰ ধাৰ্মিকতাৰ মাজত বিনষ্ট হৈ যায়, আৰু কোনো কোনো দুষ্ট লোক নিজৰ দুষ্টতাৰ মাজত অনেক দিন জীয়াই থাকে। ১৬ নিজৰ চকুত নিজে অতিৰিক্ত ধাৰ্মিক নহবা বা নিজকে অতিৰিক্ত জ্ঞানী নেদেখুৱাবা; কিয় তুমি নিজকে ধ্বংস কৰিবা? ১৭ অতিশয় দুষ্ট নহবা, আৰু অজ্ঞানীও নহবা; কিয় তুমি সময়ৰ আগেয়ে মৰিবা? ১৮ এই জ্ঞানৰ কথা তুমি ধৰি ৰখা ভাল; এটাকো হাতৰ পৰা যাবলৈ নিদিবা; যি লোকে ঈশ্বৰক ভয় কৰে, তেওঁ সকলো কঠিনতাত কৃতকাৰ্য হ'ব। ১৯ দহজন শাসনকৰ্তাই এখন নগৰক যিমান শক্তিশালী কৰে, প্ৰজ্ঞাই এজন জ্ঞানৱানক তাতোকৈ অধিক পৰিমাণে শক্তিশালী কৰে। ২০ পৃথিৱীত বাস্তৱিক এনে কোনো সৎলোক নাই, যি জনে ভাল কাম কৰে আৰু কেতিয়াও পাপ নকৰে। ২১ মানুহে কোৱা সকলো কথালৈ কাণসাৰ নিদিবা, হয়তো তোমাৰ দাসে তোমাক শাও দিয়াহে শুনিবা। ২২ কাৰণ তুমিও তোমাৰ হৃদয়ত জানা যে, তুমি নিজেও আনক

অনেকবাৰ সেইদৰে শাও দিছা। ২৩ এই সকলো মই প্ৰজ্ঞাৰ দ্বাৰাই পৰীক্ষা কৰি চাই ক'লোঁ, "মই জ্ঞানৱান হ'ম," কিন্তু জ্ঞান মোৰ পৰা দূৰৈত আছিল। ২৪ প্ৰজ্ঞালাভ মোৰ পৰা অতি দূৰৈত আৰু ই অতি গভীৰ। কোনে তাক পাব পাৰে? ২৫ সেইবাবে মই মন স্থিৰ কৰিলোঁ যাতে জ্ঞানৰ লগতে যি সকলো বাস্তৱ ব্যাখ্যাবোৰ আছে, তাক জানিব পাৰোঁ আৰু পৰীক্ষা তথা অনুসন্ধান কৰি চাব পাৰোঁ, লগতে বুজিব পাৰোঁ যে দুষ্টতা হৈছে মূৰ্খতা আৰু মূৰ্খতাই হৈছে বিচাৰবুদ্ধিহীনতা। ২৬ মই দেখিলোঁ, মৃত্যুতকৈয়ো তিতা হৈছে স্ত্ৰী, যাৰ হৃদয় ফান্দ আৰু জালেৰে পৰিপূৰ্ণ আৰু হাত দুখন শিকলিস্বৰূপ। যি মানুহ ঈশ্বৰক সন্তুষ্ট কৰে, তেওঁ তাইৰ হাতৰ পৰা সাৰিব, কিন্তু পাপী তাইৰ দ্বাৰা ফান্দত পৰিব। ২৭ উপদেশকে কৈছে, "চোৱা, মই যি দৃষ্টিগোচৰ কৰিলোঁ, তাক বিবেচনা কৰা।" সকলো কথাৰ অন্তৰালত যি সাৰ আছে, তাক উলিয়াবলৈ মই এটাৰ পাছত এটাকৈ বিচাৰ কৰি কিছুমান বিষয় জানিব পাতিলোঁ। ২৮ মোৰ প্ৰাণে যি বিচাৰিছে, তাক মই এতিয়াও পোৱা নাই; হাজাৰজনৰ মাজত এজনহে সৎ পুৰুষ পালোঁ, কিন্তু তেওঁলোকৰ মাজত এগৰাকী স্ত্ৰীকো সৎ দেখা নাপালোঁ। ২৯ কেৱল ইয়াকেহে মই জানিব পাতিলোঁ যে, ঈশ্বৰে মানুহক সৰল কৰি স্ৰজন কৰিছিল, কিন্তু মানুহ নানা যুক্তিৰ আলম লৈ অবাটে গ'ল।

**৮** জ্ঞানৱানৰ তুল্য কোন আছে? যি ঘটে, কোনে তাৰ অৰ্থ বুজাব পাৰে? প্ৰজ্ঞাই মানুহৰ মুখ উজ্জ্বল কৰে, আৰু তেওঁৰ মুখৰ কঠিনতা পৰিৱৰ্ত্তন কৰিব পাৰে। ২ মই তোমাক উপদেশ দিওঁ যে ৰজাক প্ৰতিৰক্ষা দিয়া ঈশ্বৰৰ শপতৰ কাৰণে তুমি ৰজাৰ আজ্ঞা পালন কৰা। ৩ তেওঁৰ আগৰ পৰা লৰালৰিকৈ গুচি নাযাবা; মন্দ একোৰে লগত যুক্ত নহ'বা; কাৰণ ৰজাই তেওঁৰ ইচ্ছা অনুসাৰে কাৰ্য কৰে। ৪ ৰজাৰ কথাতে যেতিয়া সামৰ্থ্য আছে, তেতিয়া কোনে তেওঁক ক'ব পাৰে, "আপুনি কি কৰিছে?" ৫ যি মানুহে ৰজাৰ আজ্ঞা পালন কৰে, তেওঁৰ কোনো ক্ষতি নহব; জ্ঞানৱান লোকসকলৰ হৃদয়ে কাৰ্যৰ উপযুক্ত সময় আৰু পদ্ধতি জানে। ৬ প্ৰত্যেক বিষয়ৰে উপযুক্ত সময় আৰু পদ্ধতি আছে; যদিও মানুহে অধিক দুখকষ্ট ভোগ কৰে। ৭ কিয়নো কোনো

মানুহেই যেতিয়া পাছত কি ঘটিব তাক নাজানে, তেতিয়া সেয়ে কিদৰে ঘটিব বুলি তেওঁক কোনে জনাব পাৰে? ৮ নিজৰ আত্মাক কোনে নিয়ন্ত্রণ কৰিব পাৰে! তেনেকৈ মৃত্যুৰ দিনৰ ওপৰতো কাৰো হাত নাই। যুদ্ধৰ সময়ত যেনেকৈ কোনো সৈনিক মুক্ত নহয়, তেনেকৈ দুষ্টতাৰ বশত থকা ব্যক্তিৰ দুষ্ট কাৰ্যৰ অভ্যাসৰ পৰা সেই দুষ্টতাই তেওঁক মুক্ত কৰিব নোৱাৰে। ৯ সূৰ্যৰ তলত কৰা সকলো কাৰ্যলৈ মনোযোগ কৰি মই এই পৰ্যবেক্ষণ কৰিলোঁ যে, এজন লোকে আন জনৰ ওপৰত কৰ্তৃত্ব চলাবলৈ অভ্যাস কৰি আন জনক ভীষণ আঘাত দিয়ে। ১০ তাৰ পাছত মই দেখিলোঁ যে, কেনেকৈ দুষ্ট লোকক সন্মানেৰে মৈদাম দিয়া হৈছিল। এই দুষ্ট লোকসকলে পবিত্ৰ স্থানত অহা-যোৱা কৰিছিল; যি নগৰত তেওঁলোকে দুষ্টতাৰ কাৰ্য কৰিছিল, সেই নগৰৰ লোকসকলে তেওঁলোকক প্ৰশংসা কৰিলে। ইও অসাৰ। ১১ অন্যায় কাৰ্যৰ শাস্তি যদি বেগাই কাৰ্যকৰী নহয়, তেন্তে মানুহৰ মনলৈ অন্যায় কাৰ্য কৰাৰ প্ৰৱণতা আহে। ১২ পাপী লোকে যদিও এশটা কুকৰ্ম কৰি দীৰ্ঘকাল জীয়াই থাকে, তথাপিও মই হ'লে নিশ্চয়কৈ জানো যে, ঈশ্বৰক যিসকলে ভয় কৰে, তেওঁলোকৰ মঙ্গল হ'ব; কাৰণ তেওঁলোকে ঈশ্বৰৰ সাক্ষাতে ভয়েৰে থিয় হয়। ১৩ কিন্তু দুষ্ট লোকৰ হ'লে মঙ্গল নহব; তেওঁলোকৰ আয়ুস বৃদ্ধি নাপাব; তেওঁলোকৰ জীৱনকাল দ্ৰুতগামী ছাঁ স্বৰূপ; কাৰণ তেওঁলোকে ঈশ্বৰৰ সাক্ষাতে ভয়েৰে থিয় নহয়। ১৪ পৃথিৱীত ঘটা আন এটা অসাৰ বিষয় হৈছে দুষ্ট লোকে তেওঁলোকৰ কাৰ্য অনুসাৰে পাবলগীয়া দুষ্টতাৰ ফল ধাৰ্মিক লোকে ভোগ কৰে আৰু ধাৰ্মিক লোকে পাবলগীয়া ফল দুষ্ট লোকে ভোগ কৰে। মই ক'লো, ইও অসাৰ।
১৫ সেয়ে মই জীৱনত আমোদ-প্ৰমোদৰে প্ৰশংসা কৰিছোঁ; কিয়নো সূৰ্যৰ তলত ভোজন-পান আৰু আনন্দ কৰাৰ বাহিৰে মানুহৰ বাবে আন একোৱেই ভাল নাই। তেন্তে সূৰ্যৰ তলত ঈশ্বৰে দিয়া মানুহৰ জীৱনৰ সকলো দিনবোৰত আনন্দই হ'ব তেওঁৰ পৰিশ্ৰমত সংগী।
১৬ প্ৰজ্ঞা পাবলৈ আৰু পৃথিৱীত যি কৰা হয়, তাক জানিবলৈ, দিনে-ৰাতিয়ে কাম কৰি চকুৰে নুশোৱাকৈ থাকে তাক বুজিবৰ কাৰণে যেতিয়া মই মনোযোগ দিলোঁ, ১৭ তেতিয়া মই ঈশ্বৰৰ সকলো কাৰ্য

বিবেচনা কৰি বুজিলো যে, সূৰ্যৰ তলত যি কাৰ্য কৰা হয়, মানুহে তাক
সম্পূৰ্ণকৈ বুজিব নোৱাৰে। সেয়ে মানুহে তাৰ উত্তৰ বিচাৰি পাবলৈ
সকলো ধৰণৰ পৰিশ্ৰম কৰিলেও তাক বিচাৰি পাব নোৱাৰে। এনেকি,
জ্ঞানৱান লোকেও যদি তাক জানো বুলি বিশ্বাস কৰে, তেওঁ প্ৰকৃততে
সম্পূৰ্ণকৈ নাজানে।

**৯** সেয়ে মই এই সকলো বিষয়ে চিন্তা কৰিলোঁ আৰু দেখিলোঁ যে,
ধাৰ্মিক আৰু জ্ঞানী লোকসকল তথা তেওঁলোকৰ সকলো কাৰ্য ঈশ্বৰৰ
হাতত। কোনেও নাজানে তেওঁক প্ৰেম কৰা হ'ব নে ঘৃণা কৰা হ'ব। ২
সকলোৰে ক্ষেত্ৰত শেষ পৰিণতি একেই। ভৱিষ্যতে একেই ঘটে।
ধাৰ্মিক হওঁক বা দুষ্ট হওঁক, সৎ আৰু বেয়া, শুচি আৰু অশুচি, বলি
উৎসৰ্গ কৰক বা নকৰক সকলোলৈকে একে ঘটে; যেনেদৰে সৎ
লোকৰ মৃত্যু হয়, তেনেদৰে পাপীৰো হয়; ঈশ্বৰৰ ওচৰত প্ৰতিশ্ৰুতি
দিয়াজনৰ যেনেদৰে মৃত্যু হয়, তেনেকৈ প্ৰতিশ্ৰুতি দিবলৈ ভয় কৰা
জনৰো হয়। ৩ সূৰ্যৰ তলত যি সকলো কাৰ্য কৰা হয়, তাৰ ভিতৰত
অতি দুখৰ বিষয় এয়ে যে, একে দশা সকলোলৈকে ঘটে; মানুহৰ
হৃদয়বোৰ দুষ্টতাৰে পৰিপূৰ্ণ আৰু জীয়াই থাকে মানে তেওঁলোকৰ
হৃদয়ত উন্মত্ততা থাকে। তাৰ পাছত তেওঁৰ মৃত্যু হয়। ৪ সকলো
জীৱিত লোকৰ কাৰণে আশা আছে। এই প্ৰবাদ আছে যে, 'মৃত
সিংহতকৈ জীৱিত কুকুৰেই শ্ৰেয়'। ৫ কিয়নো জীৱিত লোকসকলে
জানে যে তেওঁলোকৰ মৃত্যু হ'ব। কিন্তু মৃতলোকসকলে একোকেই
নাজানে; মৃত লোকে পাবৰ কাৰণে একো পুৰস্কাৰ নাই, কাৰণ
তেওঁলোকৰ কথা মানুহে পাহৰি যায়। ৬ তেওঁলোকৰ প্ৰেম, ঘৃণা আৰু
হিংসা সকলো বিলুপ্ত হৈ যায়। সূৰ্যৰ তলত কৰা যিকোনো কাৰ্যত
তেওঁলোকৰ পুনৰ কোনো ভাগ নাথাকিব। ৭ সেয়ে তুমি গৈ আনন্দেৰে
নিজৰ আহাৰ ভোজন কৰা আৰু হৰ্ষিত হৃদয়েৰে নিজৰ দ্ৰাক্ষাৰস
পান কৰাগৈ; কিয়নো তোমাৰ সকলো কৰ্ম ঈশ্বৰে পূৰ্বৰে পৰা গ্ৰহণ
কৰিলে। ৮ সকলো সময়তে বস্ত্ৰ বগা বস্ত্ৰ পিন্ধি আৰু মূৰত তেল
দি আনন্দ প্ৰকাশ কৰিবা। ৯ সূৰ্যৰ তলত ঈশ্বৰে তোমাক এই যি
সকলো অস্থায়ী আয়ুসৰ কাল দিছে, তোমাৰ জীৱনৰ সেই সকলো

অসাৰ দিনত তোমাৰ ভাৰ্যা, যাক তুমি ভালপোৱা, তেওঁৰে সৈতে
আনন্দেৰে জীৱন কটোৱা। কিয়নো সূৰ্যৰ তলত তোমাৰ জীৱনকালত
আৰু তোমাৰ পৰিশ্ৰমত এয়ে তোমাৰ পাবলগা ভাগ। ১০ তোমাৰ
হাতত যি কাৰ্যই আহঁক, তোমাৰ সকলো শক্তিৰে সৈতে তাক কৰিবা;
কিয়নো তুমি যি ঠাইলৈ গৈ আছা, সেই চিয়োলত কোনো কাৰ্য বা
পৰিকল্পনা বা বুদ্ধি কি জ্ঞান একোৱেই নাই। **(Sheol h7585)** ১১ সূৰ্যৰ
তলত মই পুনৰ কিছুমান আমোদজনক বিষয় দেখিলোঁ: যিসকলে
বেগেৰে লৰ মাৰে, তেওঁলোকেই যে সকলো সময়তে জয়ী হয়, এনে
নহয়; বীৰসকলেই যে সকলো সময়তে ৰণত জয়ী হয়, এনে নহয়;
জ্ঞানীসকলেই যে সকলো সময়তে পেট ভৰাই খাবলৈ পায়, এনে
নহয়; বুদ্ধিমান লোকেই যে সকলো সময়তে ধনী হয়, এনে নহয়;
বিদ্বান লোকেই যে সকলো সময়তে সুযোগ পায়, এনে নহয়; পৰিবৰ্তে,
সময় আৰু সুযোগৰ দ্বাৰা তেওঁলোক সকলো প্ৰভাৱান্বিত হয়। ১২
কোনেও নাজানে তেওঁৰ মৃত্যুৰ সময় কেতিয়া আহিব। যেনেকৈ মাছ
নিষ্ঠুৰ জালত পৰে আৰু চৰাইবোৰ ফান্দত ধৰা পৰে, তেনেকৈ বিপদ
হঠাতে মানুহৰ ওপৰলৈ আহে আৰু তেওঁক ফান্দত পেলায়। ১৩
মই সূৰ্যৰ তলত প্ৰজ্ঞা সম্বন্ধে আন এক বিষয় দেখিলোঁ আৰু সেয়ে
মোলৈ অতি গুৰুতৰ বোধ হ'ল। ১৪ এখন সৰু নগৰত অতি তাকৰ
মানুহ আছিল; এজন শক্তিশালী ৰজাই নগৰখনৰ বিৰুদ্ধে আহি তাক
অৱৰোধ আক্ৰমণ কৰিবলৈ বৰ বৰ কোঁঠ সাজিলে। ১৫ সেই নগৰত
এজন জ্ঞানৱান দৰিদ্ৰ মানুহক পোৱা গ'ল; তেওঁ নিজৰ প্ৰজ্ঞাৰ দ্বাৰাই
নগৰখন ৰক্ষা কৰিলে; কিন্তু কোনেও সেই দৰিদ্ৰ মানুহজনক সোঁৱৰণ
নকৰিলে। ১৬ সেয়ে মই ক'লোঁ, "শক্তিতকৈ প্ৰজ্ঞা উত্তম; কিন্তু দৰিদ্ৰ
লোকৰ প্ৰজ্ঞাক হেয়জ্ঞান কৰা হয় আৰু তেওঁৰ কথা কোনেও নুশুনে।"
১৭ অজ্ঞানীসকলৰ মাজত কৰা এজন শাসনকৰ্তাৰ গৰ্জনতকৈ বৰং
জ্ঞানৱানৰ শান্ত-সৌম্য কথা শুনা ভাল। ১৮ যুদ্ধৰ অস্ত্ৰ-শস্ত্ৰতকৈ প্ৰজ্ঞা
উত্তম; কিন্তু এজন পাপীয়ে অনেক ভাল কাৰ্য নষ্ট কৰে।

**১০** যেনেকৈ মৰা মাখিয়ে সুগন্ধি তেলৰ দ্ৰব্য দুৰ্গন্ধময় কৰি তোলে,
তেনেকৈ অলপ অজ্ঞানতাৰ কাৰ্যই প্ৰজ্ঞা আৰু সন্মানক মছি পেলায়। ২

জ্ঞানৱানৰ হৃদয় ভাল পথৰ ফালে ঘূৰে; কিন্তু অজ্ঞানীৰ হৃদয় ভুল পথলৈ ঘূৰে। ৩ বাটত খোজকঢ়াৰ সময়তো এজন অজ্ঞানীৰ বুদ্ধিৰ অভাৱ দেখা যায় আৰু সকলোৰে আগত তেওঁৰ অজ্ঞানতা প্ৰকাশ কৰে। ৪ অধিপতি যদি তোমাৰ ওপৰত ক্ৰুদ্ধ হয়, তথাপিও তুমি তোমাৰ পদ ত্যাগ নকৰিবা; কিয়নো শান্তভাৱে থাকিলে ডাঙৰ ডাঙৰ অন্যায়কো শান্ত কৰিব পাৰি। ৫ অধিপতিৰ পৰা উৎপন্ন হোৱা এক প্ৰকাৰ ভ্ৰান্তি আৰু এক দুষ্টতাৰ বিষয় মই সূৰ্যৰ তলত দেখিলোঁ। ৬ অজ্ঞানীসকলক উচ্চ পদবোৰত নিযুক্ত কৰা হয় আৰু সফল লোক নিম্ন পদত নিযুক্ত হয়। ৭ মই দাসক ঘোঁৰাত উঠি যোৱা, আৰু অধিপতিক দাসৰ দৰে মাটিত খোজ কাঢ়ি যোৱা দেখিছোঁ। ৮ যি মানুহে গাত খান্দে, তেওঁ তাৰ ভিতৰত পৰিব পাৰে; যি মানুহে শিলৰ দেৱাল ভাঙে তেওঁক সাপে খুঁটিব পাৰে। ৯ যি মানুহে শিলবোৰ কাটে, তেওঁ তাৰ দ্বাৰাই আঘাত পাব পাৰে। যি মানুহে কাঠ ডোখৰ ডোখৰ কৰে, তেওঁ তাৰ দ্বাৰাই বিপদত পৰিব পাৰে। ১০ কুঠাৰ যদি ভোঁতা হয় আৰু তাক ধাৰ দিয়া নহয়, তেন্তে তাক ব্যৱহাৰ কৰিবলৈ অধিক বল লাগে; কিন্তু সফলতাৰ কাৰণে জ্ঞানৰ ব্যৱহাৰ উপযোগী। ১১ মন্ত্ৰৰে মুগ্ধ কৰাৰ আগেয়েই যদি সাপে খুটে, তেন্তে মন্ত্ৰ গাওঁতাজনৰ কোনো লাভ নাই। ১২ জ্ঞানৱান লোকৰ মুখৰ কথাই খ্যাতি আনে; কিন্তু অজ্ঞানীৰ ওঁঠে নিজকে ধ্বংস কৰে। ১৩ অজ্ঞানীৰ কথাৰ আৰম্ভণিতেই নিৰ্বুদ্ধিতা থাকে আৰু তেওঁৰ কথাৰ শেষত দুষ্ট বিচাৰবুদ্ধিহীনতা থাকে। ১৪ অজ্ঞানী লোকে অনেক কথা কয়; কিন্তু কি হব, তাক কোনেও নাজানে; ভৱিষ্যত কালত কি ঘটিব, সেই কথা মানুহক কোনে জনাব পাৰে? ১৫ অজ্ঞানী লোকৰ পৰিশ্ৰমেই তেওঁলোকক ক্লান্ত কৰে, নগৰলৈ যোৱা বাটকো তেওঁ নাজানে। ১৬ দেশৰ ৰজা যেতিয়া অল্পবয়সীয়া হ'য়, সেই দেশ অস্থিৰ হয়; মন্ত্ৰীসকলে ৰাতিপুৱাতেই ভোজ খায়। ১৭ কিন্তু দেশৰ ৰজা যেতিয়া ভদ্ৰ বংশজাতৰ পুত্ৰ হয়, সেই দেশত আনন্দ হয়; মন্ত্ৰীসকলে মতলীয়া হবলৈ নহয়, কিন্তু শক্তি বৃদ্ধিৰ কাৰণে উচিত সময়ত ভোজন পান কৰে। ১৮ এলেহুৱা লোকৰ ঘৰৰ চাল ধ্বংস হয়; সোৰোপা হাতৰ কাৰণে ঘৰত পানী পৰে। ১৯ আমোদৰ কাৰণেই

ভোজ-মেল পতা হয়; দ্ৰাক্ষাৰসে জীৱনলৈ আনন্দ আনে আৰু অৰ্থই
অনেক অভাৱ পূৰ্ণ কৰে। ২০ ৰজাক শাও নিদিবা, এনেকি মনে
মনেও নিদিবা; তোমাৰ শোৱা কোঁঠালিত ধনীক শাও নিদিবা; কিয়নো
আকাশৰ এটি সৰু চৰায়ে তোমাৰ সেই কথা শুনি বৈ নিব পাৰে নাইবা
কিছুমান ডেউকাযুক্ত জীৱই উৰি গৈ সকলোকে সেই কথা কৈ দিব
পাৰে।

**১১** তুমি তোমাৰ আহাৰ পানীৰ ওপৰত পেলাই দিয়া; কিয়নো
অনেক দিনৰ পাছত তাক পুনৰ ঘূৰাই পাবা। ২ তোমাৰ কাৰ্য সাধনৰ
উপায়বোৰ, সাত বা আঠজনৰ সৈতে ভাগ বাঁটি লোৱা; কিয়নো
পৃথিবীত কি দুৰ্যোগ ঘটিব, তাক তুমি নাজানা। ৩ যেতিয়া মেঘবোৰ
বৃষ্টিৰে পূৰ্ণ হৈ থাকে, তেতিয়া তাৰ পৰা পৃথিবীত বৰষুণ পৰে; গছ
উত্তৰ বা দক্ষিণ যি দিশতেই পৰক, কিন্তু যি ঠাইত পৰে, সেই ঠাইতেই
পৰি থাকে। ৪ যি কোনোৱে বতাহক নিৰীক্ষণ কৰে, তেওঁ বীজ ৰোপন
কৰিব নোৱাৰে, যি কোনোৱে বৰষুণক নিৰীক্ষণ কৰে, তেওঁ শস্য দাব
নোৱাৰে। ৫ বতাহ কোন দিশৰ পৰা বলিব, তুমি নাজানা; তুমি নাজানা
মাতৃগৰ্ভত এটি শিশুৰ হাড়বোৰ কেনেকৈ বৃদ্ধি হয়; সেইদৰে যিজন
সকলো বস্তুৰে সৃষ্টিকৰ্তা, সেই ঈশ্বৰৰ কাৰ্যও তুমি বুজিব নোৱাৰা। ৬
ৰাতিপুৱা তুমি তোমাৰ বীজ ৰোপন কৰিবা, আৰু গধূলি পৰত তোমাৰ
হাতক কৰ্মহীন নকৰিবা; কিয়নো পুৱা বা গধূলি কৰা কোনটো কাৰ্যত
তুমি সফল হ'বা, তুমি নাজানা; এই কাৰ্যত নে সেই কাৰ্যত, অথবা
দুয়োটাই একে সমানেই ভাল হ'ব, তাক নাজানা। ৭ স্বৰূপেই পোহৰ
সুন্দৰ আৰু চকুৰ বাবে সূৰ্যক দেখা পোৱা এক সন্তোষজনক বিষয় ৮
কোনো মানুহ যদি অনেক বছৰ জীয়াই থাকে, তেন্তে তেওঁ যেন নিজৰ
সেই দিনবোৰত আনন্দ উপভোগ কৰে; কিন্তু অন্ধকাৰৰ আগন্তুক
দিনবোৰৰ কথাও যেন তেওঁ মনত ৰাখে; কিয়নো সেই দিনবোৰ
হ'ব অনেক। যি যি ঘটিব সেই সকলোৱেই অস্থায়ী, অসাৰ। ৯ হে
যুবক, তুমি তোমাৰ যৌৱনকালত আনন্দ কৰা; যুবা বয়সৰ দিনবোৰত
তোমাৰ হৃদয়ে তোমাক আনন্দিত কৰক; তুমি তোমাৰ হৃদয়ৰ সৎ
ইচ্ছাবোৰৰ পথত চলিবা আৰু নিজ চকুৰ দৃষ্টিত যি ভাল তাকে কৰিবা।

কিন্তু জানিবা যে, ঈশ্বৰে এই সকলো বিষয়ৰ কাৰণে তোমাক বিচাৰৰ
ঠাইলৈ আনিব। ১০ এই হেতুকে তোমাৰ হৃদয়ৰ পৰা ক্ৰোধ দূৰ কৰা;
তোমাৰ শৰীৰৰ কষ্টলৈ মনোযোগ নিদিবা; কিয়নো যৌৱন আৰু যুবা
কালৰ শক্তি ভাপ-স্বৰূপ।

**১২** বৃদ্ধকালৰ দুখ-কষ্টৰ দিন আৰু বছৰবোৰ অহাৰ আগেয়েই তুমি
যৌৱন কালতেই তোমাৰ সৃষ্টিকৰ্তাক সোঁৱৰণ কৰা; সেই দিনবোৰত
তুমি ক'বা, "জীয়াই থকাত মই আৰু সন্তোষ নাপাওঁ।" ২ সূৰ্য,
চন্দ্ৰ আৰু তৰাবোৰৰ জ্যোতি তোমাৰ ওচৰত অন্ধকাৰ হৈ অহাৰ
আগেয়েই, বৰষুণৰ পাছতেই পুনৰায় ক'লা ডাঁৱৰ অহাৰ আগেয়েই
তুমি সৃষ্টিকৰ্তাক সোঁৱঁৰা। ৩ সেই সময়ত তোমাৰ ঘৰৰ প্ৰহৰী কঁপিব,
শক্তিশালী লোক কুঁজা হৈ যাব, যি সকল তিৰোতাই জাঁত পিহে,
তেওঁলোক তাকৰ হোৱাৰ বাবে পিহিবলৈ এৰিব আৰু খিড়িকিয়েদি
চোৱাজনে স্পষ্টকৈ দেখা নাপাব। ৪ সেইসময়ত বাটৰ ফালৰ দুৱাৰ
বন্ধ হ'ব, জাঁত পিহাৰ শব্দও বন্ধ হৈ যাব, এটি চৰাইৰ মাততে মানুহ
চমকি সাৰ পাব, গায়িকাসকলৰ কণ্ঠৰ সুৰ কমি যাব। ৫ সেই সময়ত
মানুহে ওখ ঠাইত উঠি যাবলৈ ভয় খাব আৰু বাটত থকা বাধা-বিঘিনিৰ
ওপৰেদি খোজ কাঢ়ি যাবলৈ ভয় খাব। তেতিয়া বাদাম গছত বগা
ফুল ফুলিব, ফৰিঙৰ দৰে নিজকে টানি টানি খোজ কাঢ়িব, স্বাভাৱিক
কামনা-বাসনা উত্তেজিত নহ'ব। তাৰ পাছতে মানুহ নিজৰ অনন্তকালৰ
ঘৰলৈ গুছি যায় আৰু বিলাপকাৰীসকল শোভাযাত্ৰাৰ পথলৈ নামি
যায়। ৬ সেয়ে ৰূপৰ তাঁৰ ছিঙি যোৱাৰ পূৰ্বেই বা সোনৰ পাত্ৰ ভাঙি
যোৱাৰ পূৰ্বেই, নিজৰাৰ কাষত কলহ চূৰ্ণ-বিচূৰ্ণ হোৱাৰ পূৰ্বেই তোমাৰ
সৃষ্টিকৰ্তাক সোঁৱৰণ কৰা। ৭ মাটিৰ পৰা অহা ধুলি মাটিলৈ ঘূৰি যোৱাৰ
পূৰ্বেই আৰু ঈশ্বৰে দিয়া আত্মা তেওঁলৈ উলটি যোৱাৰ পূৰ্বেই তুমি
যৌৱন কালত তোমাৰ সৃষ্টিকৰ্ত্তাক সোঁৱৰা। ৮ উপদেশকে কৈছে,
অসাৰৰ অসাৰ, সকলোৱেই অসাৰ। ৯ উপদেশক নিজে জ্ঞানী আছিল
আৰু তেওঁ লোকসকলকো জ্ঞানৰ শিক্ষা দিছিল। তেওঁ চিন্তা কৰি আৰু
পৰীক্ষা কৰি অনেক নীতিবচন ৰচনা কৰিছিল। ১০ উপদেশকে সত্যৰ
ন্যায় বচন প্ৰাণৱন্ত ৰূপত ব্যৱহাৰ কৰি লিখিবলৈ বিচাৰিছে। ১১ জ্ঞানী

লোকসকলৰ কথা ৰখীয়াৰ তীকষ্ন লাঠিডালৰ নিচিনা। তেওঁলোকৰ কথাবোৰ একত্ৰিত কৰিলে ভাব হয়, সেইবোৰ গভীৰলৈকে হানি যোৱা গজালৰ নিচিনা। সেই সকলো এজন ৰখীয়াৰ দ্বাৰাই দিয়া হৈছে। **১২** হে মোৰ বোপা, তুমি সতৰ্ক হোৱা; অনেক পুথি লিখাৰ শেষ নাই। অধিক অধ্যয়নে শৰীৰক ক্লান্ত কৰে। **১৩** সকলোবোৰতো শুনা হ'ল: এতিয়া আহাঁ, আমি সকলোৰে সাৰ কথা শুনো। ঈশ্বৰলৈ ভয় ৰাখা, আৰু তেওঁৰ আজ্ঞা সমূহ পালন কৰা; কিয়নো মানুহৰ সকলো কৰ্তব্য এয়ে। **১৪** ঈশ্বৰে ভাল কি বেয়া আটাইবোৰ গুপুত বিষয়ৰে সৈতে সকলো কৰ্মকে বিচাৰ স্থানলৈ আনিব।

# পৰম গীত

**১** ৰজা চলোমনৰ অতি সুন্দৰ গীতৰ শৰাই- ২ প্ৰিয়াৰ কথা তুমি
তোমাৰ মুখৰ চুম্বনবোৰেৰে মোক ভৰাই দিয়া, কাৰণ তোমাৰ
ভালপোৱা দ্ৰাক্ষাৰসতকৈও উত্তম। ৩ তোমাৰ তেলৰ সুগন্ধই আনন্দৰ
সৌৰভ আনে; বাকি দিয়া সুগন্ধৰ দৰেই তোমাৰ নাম; সেই বাবেই
যুৱতীসকলে তোমাক ভাল পায়। ৪ (যুৱতীয়ে নিজৰ মনতে ক'লে)
মোক তোমাৰ লগত লৈ ব'লা; আমি সোনকালে পলাই যাম। ৰজাই
মোক তেওঁৰ কক্ষৰ ভিতৰলৈ লৈ আনিলে; প্ৰিয়ৰ প্ৰতি কইনাৰ কথা:
মই সুখী; মই তোমাক লৈ আনন্দ কৰোঁ; মোক তোমাৰ প্ৰেমত
উল্লাসিত হ'বলৈ দিয়া; তোমাৰ ভালপোৱা দ্ৰাক্ষাৰসতকৈও উত্তম।
আন ৰমণীসকলে যে তোমাৰ প্ৰশংসা কৰে, ই স্বাভাৱিক কথা। ৫ আন
ৰমণীসকলৰ প্ৰতি: হে যিৰূচালেমৰ ৰমণীসকল, মই ক'লা বৰণীয়া
হ'লেও সুন্দৰী; মই কেদৰৰ তম্বুৰ নিচিনা ক'লা আৰু চলোমনৰ
পৰ্দাবোৰৰ দৰে সুন্দৰী। ৬ মই ক'লা বাবেই মোলৈ চাই নাথাকিবা;
কাৰণ সূৰ্যৰ তাপে মোক ডেই নিলে। মোৰ ভাই-ককাইসকলে মোৰ
ওপৰত খং কৰি মোক দ্ৰাক্ষাবাৰীবোৰৰ দেখা-শুনা কৰিবলৈ দিছিল;
সেয়ে মই মোৰ নিজৰ দ্ৰাক্ষাবাৰীৰ যত্ন ল'ব পৰা নাই। ৭ প্ৰিয়ৰ প্ৰতি
যুৱতীৰ কথা: হে মোৰ প্ৰিয়তম, মোৰ প্ৰাণে তোমাকে ভালপায়! মোক
কোৱা, তুমি তোমাৰ মেৰ-ছাগৰ জাকক কোন ঠাইত চৰোৱা? তুমি
তোমাৰ মেৰ-ছাগবোৰক দুপৰীয়া ক'ত বিশ্ৰাম কৰোঁৱা? তোমাৰ
লগৰীয়াৰ মেৰ-ছাগৰ জাকবোৰৰ কাষত, মই কিয় ওৰণি লোৱা জনীৰ
নিচিনা ঘূৰি ফুৰিম? ৮ প্ৰিয়ৰ কথা: তুমি যদি তাক নাজানা, হে পৰম
সুন্দৰী যুৱতী, মোৰ মেৰ-ছাগৰ জাকৰ খোজৰ চিনবোৰৰ পাছে পাছে
আহাঁ আৰু তোমাৰ ছাগলী পোৱালিবোৰক মেৰ-ছাগ ৰখীয়াসকলৰ
তম্বুৰ ওচৰতে চৰোৱা। ৯ হে মোৰ প্ৰিয়তমা, ফৰৌণৰ ৰথৰ এজনী
ঘোঁৰাৰে সৈতে, মই তোমাক তুলনা কৰিছোঁ। ১০ গালৰ দুপাশৰ
গহণাৰে সৈতে, তোমাৰ গাল দুখন সুন্দৰ দেখাইছে, আৰু মুকুতাৰ
কণ্ঠহাৰে তোমাৰ ডিঙি শোভিত কৰিছে। ১১ মই তোমাৰ কাৰণে ঠায়ে
ঠায়ে ৰূপ খচিত সোণৰ অলঙ্কাৰ নিৰ্মাণ কৰিম। ১২ প্ৰিয়াৰ কথা:

ৰজাই যেতিয়া তেওঁৰ বিচনাত শুইছিল, তেতিয়া মোৰ সুগন্ধৰ সুঘ্ৰাণ
বিয়পি পৰিল। ১৩ মোৰ ওচৰত মোৰ প্ৰিয় গন্ধৰস থোৱা এটি মোনাৰ
দৰে, যি মোৰ স্তনযুগলৰ মাজত গোটেই ৰাতি থাকে। ১৪ মোৰ প্ৰিয়
মোৰ ওচৰত যেন এথোপা জেতুকা ফুল, যি অয়িন-গদীৰ দ্ৰাক্ষাবাৰীত
উৎপন্ন হয়। ১৫ প্ৰিয়ৰ কথা: চোৱা, কি সুন্দৰী তুমি! মোৰ প্ৰিয়া; তুমি
কিমান যে সুন্দৰী! তোমাৰ দুচকু কপৌৰ নিচিনা। ১৬ প্ৰিয়াৰ কথা:
চোৱা, কি সুন্দৰ তুমি! মোৰ প্ৰিয়; তুমি কিমান যে সুন্দৰ! আমাৰ শয্যা
সেউজীয়া ঘাহেঁৰে ভৰা। ১৭ এৰচ গছৰ ডাল আমাৰ ঘৰৰ চতি আৰু
আমাৰ ঘৰৰ বাটাম দেবদাৰুৰ ডাল।

**২** প্ৰিয়াৰ কথা: মই যেন চাৰোণৰ এটি গোলাপ, উপত্যকাৰ এটি
লিলি ফুল। ২ প্ৰিয়ৰ কথা: কাঁইটবোৰৰ মাজত লিলি ফুল এটি যেনে
ছোৱালীবোৰৰ মাজত মোৰ প্ৰিয়া তেনে। ৩ প্ৰিয়াৰ কথা: বননিৰ
গছবোৰৰ মাজত সুমথিৰা টেঙাৰ গছ যেনে, যুৱকসকলৰ মাজত মোৰ
প্ৰিয় তেনে। মই তেওঁৰ ছাঁয়াত বহি আনন্দ পাওঁ, মোৰ মুখত তাৰ ফল
মিঠা লাগে। ৪ তেওঁ মোক ভোজৰ ঘৰলৈ লৈ গ'ল, আৰু প্ৰেমেই হ'ল
মোৰ ওপৰত তেওঁৰ নিচান। ৫ কিচমিচৰ পিঠাৰে মোক শক্তিশালী
কৰা, আৰু সুমথিৰা টেঙাৰে মোৰ প্ৰাণ জুৰুউৱা; কিয়নো প্ৰেমতে মই
দুৰ্বল হৈছোঁ। ৬ মোৰ মূৰৰ তলত তেওঁৰ বাওঁহাত আছে, আৰু তেওঁৰ
সোঁহাতে মোক আকোঁৱালি ধৰিছে। ৭ হে যিৰূচালেমৰ যুৱতীসকল,
কৃষ্ণসাৰ আৰু পথাৰৰ হৰিণবোৰৰ নামেৰে মোৰ ওচৰত প্ৰতিশ্ৰুতি
দিয়া, আমাৰ প্ৰেমৰ সময় শেষ নোহোৱালৈকে তোমালোকে আমাৰ
ভালপোৱাত বিঘিনি নিদিবা। ৮ সেয়া শুনা, মোৰ প্ৰিয়ৰ শব্দ! সেয়া
চোৱা, তেওঁ আহিছে, তেওঁ পাহাৰ-পৰ্ব্বতৰ ওপৰেদি ডেও দি জপিয়াই
আহিছে। ৯ মোৰ প্ৰিয় যেন কৃষ্ণসাৰ বা যুৱা হৰিণ; সৌৱা চোৱা, তেওঁ
আমাৰ দেৱালৰ পাছফালে থিয় হৈ আছে, তেওঁ খিড়িকিবোৰেদি চাই
পঠাইছে, চিলিঙৰ মাজেদি উকি মাৰিছে, ১০ মোৰ প্ৰিয়ই মোক ক'লে,
"হে মোৰ প্ৰিয়া, উঠা; হে মোৰ সুন্দৰী, আহাঁ। ১১ চোৱা, শীতকাল গ'ল,
বৰ্ষাও শেষ হৈ গুছি গ'ল। ১২ ভূমিত ফুলবোৰ ফুলি উঠিছে; পক্ষীবোৰে
গান গোৱাৰ সময় আহিছে; আমাৰ দেশত কপৌৰ মাত শুনা গৈছে। ১৩

ডিমৰু গছৰ কেঁচা গুটি পকিবলৈ ধৰিছে, দ্ৰাক্ষালতাই ফুল ধৰি সুঘ্ৰাণ বিতৰণ কৰিছে। হে মোৰ প্ৰিয়া, উঠা; হে মোৰ সুন্দৰী, আহাঁ। ১৪ হে মোৰ কপৌ, তুমি শিলৰ ফাটত, পাহাৰৰ গড়াৰ গুপুত ঠাইত লুকাই আছা। মোক তোমাৰ মুখ চাবলৈ দিয়া; তোমাৰ কণ্ঠৰ স্বৰ শুনিবলৈ দিয়া; কিয়নো তোমাৰ মাত মধুৰ আৰু তোমাৰ মুখ অতি সুন্দৰ।" ১৫ ৰমণীসকলৰ প্ৰতি উক্তি: তোমালোকে সেই শিয়ালবোৰক, সৰু সৰু শিয়ালবোৰক ধৰা, কাৰণ সিহঁতে আমাৰ দ্ৰাক্ষাবাৰীবোৰ নষ্ট কৰে। আমাৰ দ্ৰাক্ষাবাৰীত ফুল ফুলিছে। ১৬ প্ৰিয়াৰ কথা: মোৰ প্ৰিয় মোৰেই আৰু মই তেওঁৰেই; তেওঁ লিলি ফুলৰ মাজত চৰে। ১৭ হে মোৰ প্ৰিয়, তুমি গুছি যোৱা, অন্ধকাৰৰ ছাঁয়াবোৰ বিলীন হোৱাৰ আগেয়ে আৰু পুৱতি নিশাৰ কোমল বতাহ বলাৰ আগেয়ে তুমি গুছি যোৱা। তুমি কৃষ্ণসাৰ বা যুৱা হৰিণৰ দৰে সুউচ্চ পাহাৰলৈ ঘূৰি যোৱা।

৩ কইনাৰ সপোন: ৰাতি মোৰ শয্যাত মোৰ প্ৰাণৰ প্ৰিয়তমক মই বিচাৰিলো; মই তেওঁক বিচাৰিলো, কিন্তু নাপালোঁ; ২ মই ভাবিলোঁ, "মই এতিয়া উঠি নগৰখনৰ মাজত ঘূৰি ফুৰিম; ৰাস্তায় ৰাস্তায়, চকবোৰত ঘূৰি ফুৰিম; তাত মই মোৰ প্ৰাণৰ প্ৰিয়তমক বিচাৰিম।" মই তেওঁক বিচাৰিলোঁ, কিন্তু নাপালোঁ। ৩ প্ৰহৰীবোৰে নগৰ ঘূৰি ফুৰি পহৰা দিয়াৰ সময়ত, মোক দেখা পালে। মই তেওঁলোকক সুধিলোঁ, আপোনালোকে মোৰ প্ৰাণৰ প্ৰিয়তমক দেখিছিল নে?" ৪ তেওঁলোকক পাৰ হৈ আগুৱাই যাওঁতেই, মই মোৰ প্ৰাণৰ প্ৰিয়তমক দেখা পালোঁ। তেওঁক ধৰি মোৰ মাতৃৰ ঘৰলৈ লৈ নহালৈকে, মই তেওঁক এৰি নিদিলোঁ; যি গৰাকীয়ে মোক গৰ্ভত ধাৰণ কৰিছিল, মই তেওঁৰেই শোৱনি কোঠালিলৈ প্ৰিয়তমক লৈ আনিলো। ৫ ৰমণীসকলৰ প্ৰতি উক্তি: হে যিৰূচালেমৰ যুৱতীসকল, কৃষ্ণসাৰ আৰু পথাৰৰ হৰিণবোৰৰ নামেৰে মোৰ ওচৰত প্ৰতিশ্ৰুতি দিয়া, আমাৰ প্ৰেমৰ সময় শেষ নোহোৱালৈকে তোমালোকে আমাৰ ভালপোৱাত বিঘিনি নিদিবা। ৬ বিবাহৰ বাবে চলোমনৰ আগমণ মৰুভূমিৰ পৰা ধোঁৱাৰ স্তম্ভৰ দৰে সেই গৰাকী কোন আহিছে? তেওঁ ব্যৱসায়ীৰ সকলো ধৰণৰ মছলাগুৰিৰ গন্ধ লৈ, গন্ধৰস আৰু সুগন্ধি ধূপৰ সুবাসেৰে এক ধোঁৱাৰ

স্তম্ভৰ দৰে আহিছে। ৭ চোৱা, চৌৱা চলোমনৰ দোলা; ষাঠিজন
বীৰ যোদ্ধাই সেই দোলাক ঘেৰি ৰাখিছে; তেওঁলোক ইস্রায়েলৰ
শক্তিশালী সৈন্য। ৮ তেওঁলোক সকলোৰে লগত আছে তৰোৱাল;
যুদ্ধত তেওঁলোক সুদক্ষ; তৰোৱাল ককালত বান্ধি লৈ তেওঁলোক
প্ৰতিজন প্ৰস্তুত আছে ৰাতিৰ বিপদৰ কাৰণে। ৯ ৰজা চলোমনে
লিবানোনৰ কাঠেৰে নিজৰ বাবে, এটি দোলা নিৰ্মাণ কৰিলে। ১০
দোলাৰ খুটাবোৰ ৰূপেৰে পিছৰ ভাগ সোণেৰে, আসনখন বেঙেনা
বৰণীয়া কাপোৰেৰে তৈয়াৰী; যিৰূচালেমৰ ৰমণীসকলৰ প্ৰেমেৰে
তাৰ ভিতৰ অংশ খচিত আৰু শোভিত কৰা হ'ল ১১ হে চিয়োনৰ
যুৱতীসকল, তোমালোক বাহিৰলৈ ওলাই আহাঁ, চোৱা, ৰজা চলোমনে
মুকুট পিন্ধি আছে; তেওঁৰ বিবাহৰ দিনা, তেওঁৰ সেই মনৰ আনন্দৰ
দিনা, তেওঁৰ মাকে তেওঁক মুকুট পিন্ধাই দিছে।

**4** চলোমনে কইনাৰ সৌন্দৰ্যৰ প্ৰশংসা কৰা প্ৰিয়ৰ কথা: প্ৰিয়া মোৰ,
কিমান যে সুন্দৰী তুমি! তুমি সুন্দৰী। ওৰণিৰ ভিতৰত তোমাৰ দুচকু
কপৌৰ নিচিনা; তোমাৰ চুলিকোছা গিলিয়দ পাহাৰৰ পৰা নামি অহা
ছাগলীৰ জাকৰ নিচিনা। ২ এইমাত্ৰ নোম কাটি গা ধুই অহা মাইকী
মেৰ-ছাগৰ জাকৰ নিচিনা তোমাৰ দাঁতবোৰ। সিহঁতৰ প্ৰত্যেকৰে
যমজ পোৱালি আছে, আৰু সিহঁতৰ কোনেও নিজৰ পোৱালিক হেৰুৱা
নাই। ৩ তোমাৰ ওঁঠ দুটা এডাল ৰক্তিম সূতাৰ দৰে ৰঙা; কি যে
মৰমলগা তোমাৰ মুখ। ওৰণিৰ তলত তোমাৰ গাল দুখন দুফাল কৰা
আধা ডালিমৰ নিচিনা। ৪ তোমাৰ ডিঙি, শিলেৰে শাৰিপাতি বনোৱা
দায়ুদৰ ওখ স্তম্ভটিৰ দৰে, য'ত ওলমি আছে এহেজাৰ ঢাল; সেই
সকলোবোৰেই সৈন্যসকলৰ। ৫ তোমাৰ স্তন দুটা লিলি ফুলৰ বনত
চৰি ফুৰা কৃষ্ণসাৰৰ যমজ পোৱালীৰ নিচিনা। ৬ ভোৰ নোহোৱালৈকে
আৰু অন্ধকাৰৰ ছাঁয়া আঁতৰি নোযোৱালৈকে, হয়, মই গন্ধৰসৰ আৰু
ধূপৰ পাহাৰতে গৈ থাকিম। ৭ মোৰ প্ৰিয়া, তুমি সৰ্ব্বাঙ্গ-সুন্দৰী;
তোমাত কোনো খুঁত নাই। ৮ হে মোৰ কইনাজনী, লিবানোনৰ পৰা
মোৰ লগত আহাঁ। লিবানোনৰ পৰা মোৰ লগতেই আহাঁ; অমানাৰ
চূড়াৰ পৰা, চনীৰ আৰু হৰ্মোণ পাহাৰৰ ওপৰৰ পৰা, সিংহবোৰৰ

গাতৰ পৰা, আৰু নাহৰফুটুকী বাঘবোৰৰ পাহাৰী বাসস্থানৰ পৰা তুমি
নামি আহাঁ। ৯ মোৰ প্ৰিয়া, মোৰ কইনাজনী, তুমি মোৰ মনকে চুৰ
কৰিলা; তোমাৰ চকুৰ এক চাৱনীৰে, তোমাৰ ডিঙিৰ হাৰৰ এটা মণিৰে
তুমি মোৰ মন বন্দী কৰিলা। ১০ হে মোৰ প্ৰিয়া, মোৰ কইনাজনী,
তোমাৰ ভালপোৱা কিমান যে মনমোহা! দ্ৰাক্ষাৰসতকৈয়ো তোমাৰ
ভালপোৱা আৰু সকলো সুগন্ধি দ্ৰব্যতকৈয়ো তোমাৰ ঘ্ৰাণৰ সৌৰভ
কেনে উত্তম। ১১ হে মোৰ কইনাজনী, তোমাৰ ওঁঠযুৰিৰ পৰা টোপ-
টোপ কৰি মধু পৰে; তোমাৰ জিভাৰ তলত মধু আৰু দুগ্ধ আছে;
তোমাৰ বস্ত্ৰৰ গন্ধ লিবানোনৰ বনৰ গন্ধৰ নিচিনা। ১২ মোৰ প্ৰিয়া,
মোৰ কইনাজনী বন্ধ কৰি থোৱা এক উদ্যান; এক বন্ধ কৰি থোৱা
সুৰক্ষিত উদ্যান, মোহৰ মাৰি ৰখা এটি জুৰি। ১৩ এক ডালিম গছেৰে
ভৰা উদ্যান; ডালবোৰ উত্তম উত্তম ফলেৰে ভৰা; তাত জেতুকা আৰু
সুগন্ধি লতা আছে। ১৪ জটামাংসী, জাফৰন, সুগন্ধি বচ, ডালচেনি,
আৰু সকলো ধৰণৰ মছলাৰ গছ আছে। তাত গন্ধৰস, অগৰু আদিকে
ধৰি সকলো বিধৰ সুগন্ধি গছ আছে। ১৫ তুমি যেন উদ্যানৰ জুৰি,
যেন নিৰ্মল পানীৰ এটি কুৱাঁ, যেন লিবানোনৰ পৰা বৈ নামি অহা
জলস্ৰোত। ১৬ প্ৰিয়াৰ কথা: হে উত্তৰৰ বতাহ, সাৰ পোৱা; হে দক্ষিণৰ
বতাহ, তুমি আহাঁ; মোৰ উদ্যানৰ ওপৰেদি প্ৰৱাহিত হোৱা, যাতে তাৰ
সুগন্ধি দ্ৰব্যৰ সুঘ্ৰাণ বিয়পি পৰে। মোৰ প্ৰিয়তম যেন তেওঁৰ উদ্যানলৈ
আহে আৰু তাৰ উত্তম ফলবোৰ ভোজন খায়।

৫ প্ৰিয়ৰ কথা: মোৰ প্ৰিয়া, মোৰ কইনাজনী, মই মোৰ উদ্যানত
প্ৰৱেশ কৰিলোঁ; মই মোৰ গন্ধৰস আৰু সুগন্ধি দ্ৰব্য গোটালোঁ; মই
মৌচাকেৰে সৈতে মোৰ মধু খালোঁ; মই গাখীৰেৰে সৈতে মোৰ
দ্ৰাক্ষাৰস পান কৰিলোঁ। ভোজন কৰা, বন্ধু। হে বন্ধু, খোৱা; হৃদয়
তৃপ্ত কৰি মোৰ ভালপোৱা পান কৰা। ২ প্ৰিয়াৰ কথা: মই টোপনিত
আছিলোঁ, কিন্তু মোৰ হৃদয় সাৰে আছিল, তেনেতে মোৰ প্ৰিয়ই দুৱাৰত
টুকুৰিয়াই ক'লে, "হে মোৰ প্ৰিয়তমা, মোৰ কইনাজনী, মোৰ কপৌ,
অকলুষিতজনী, দুৱাৰখন খুলি দিয়া। মোৰ মূৰ নিয়ৰেৰে সিক্ত হৈ
পৰিছে, ৰাতিৰ কুঁৱলীত মোৰ চুলিকোছা সেমেকি গৈছে।" ৩ "মোৰ

বস্ত্র মই খুলি থলোঁ, তাক মই পুনৰ পিন্ধিম নে? মোৰ ভৰি দুখন মই
ধুলোঁ, তাক মই পুনৰ মলিন কৰিম নে?” ৪ মোৰ প্ৰিয়ই দুৱাৰৰ
বিন্ধাইদি হাত ভৰালে, মোৰ মন তেওঁৰ বাবে ব্যাকুল হ'ল। ৫ মোৰ
প্ৰিয়ক দুৱাৰ খুলি দিবলৈ মই উঠিলোঁ; মোৰ হাত দুখন গন্ধৰসেৰে
ভিজি আছিল, তৰল গন্ধৰসেৰে ভিজা মোৰ আঙুলিয়েদি দুৱাৰৰ
শলখাডালো ভিজি গ'ল। ৬ মোৰ প্ৰিয়ৰ কাৰণে মই দুৱাৰখন খুলি
দিলোঁ; কিন্তু মোৰ প্ৰিয় নাছিল, উলটি গুচি গল; মোৰ হৃদয় ভাঙি
পৰিল, মই হতাশাত ভাগি পৰিলো। মই তেওঁক বিচাৰি ফুৰিলোঁ,
কিন্তু নাপালোঁ; মই তেওঁক মাতিলো, কিন্তু তেওঁ মোক উত্তৰ নিদিলে।
৭ প্ৰহৰীবোৰে নগৰ ঘূৰি ফুৰি পহৰা দিয়াৰ সময়ত, মোক দেখা
পালে; তেওঁলোকে মোক কোবালে, মোক ক্ষতবিক্ষত কৰিলে; নগৰৰ
দেৱালৰ প্ৰহৰীবোৰে মোৰ গাৰ পৰা মোৰ চোলা কাঢ়ি নিলে। ৮ হে
যিৰূচালেমৰ ৰমণীসকল, মই তোমালোকৰ ওচৰত নিবেদন কৰিছোঁ,
তোমালোকে যদি মোৰ প্ৰিয়তমক লগ পোৱা, তেন্তে তেওঁক কবা যে,
মই তেওঁৰ প্ৰতি প্ৰেমত দুৰ্বল হৈছোঁ। ৯ যিৰূচালেমৰ ৰমণীসকলৰ
কথা: নাৰীসকলৰ মাজত তুমি পৰম সুন্দৰী, তোমাৰ প্ৰিয়তম অন্যান্য
প্ৰেমিকতকৈ কিহত উত্তম? তোমাৰ প্ৰিয় আন প্ৰেমিকতকৈ কিয় উত্তম,
যে তুমি আমাৰ পৰা এনে প্ৰতিশ্ৰুতি বিচাৰিছা? ১০ প্ৰিয়াৰ কথা:
মোৰ প্ৰিয়ৰ চেহেৰা সুন্দৰ আৰু শক্তিশালী; তেওঁৰ লগত কাৰো তুলনা
নহয়। ১১ তেওঁৰ মূৰ অতি উত্তম নিৰ্ম্মল সোণৰ নিচিনা; তেওঁৰ চুলি
কোচা কেঁকোৰা আৰু ঢোঁৱা কাউৰীৰ নিচিনা ক'লা। ১২ তেওঁৰ চকুযুৰি
জুৰিৰ দাঁতিত থকা এযোৰ কপৌৰ নিচিনা; তাক গাখীৰেৰে ধোৱা
মুকুতাৰ দৰে খোদিত কৰা। ১৩ তেওঁৰ গাল দুখন যেন সুগন্ধি মছলাৰ
দলিচা, য'ৰ পৰা সুগন্ধি সুঘ্ৰাণ ওলায়। তেওঁৰ ওঁঠযুৰি যেন তৰল
গন্ধৰস বাগৰি অহা লিলি ফুল। ১৪ তেওঁৰ বাহু দুখন যেন ৰত্নখচিত
সোণৰ দণ্ড; তেওঁৰ শৰীৰতো হাতী দাঁতেৰে তৈয়াৰ কৰা; নীলকান্ত
মণিৰে ঢকা। ১৫ তেওঁৰ ভৰি দুখন নিখুঁত সোণৰ আধাৰত বহুৱা
মাৰ্বলৰ স্তম্ভৰ নিচিনা। তেওঁ দেখিবলৈ লিবানোনৰ ওখ এৰচ গছৰ

নিচিনা উত্তম। ১৬ তেওঁৰ মুখখন অতি মধুৰ; সম্পূৰ্ণৰূপে সুন্দৰ ব্যক্তি
তেওঁ। হে যিৰূচালেমৰ ৰমণীসকল, তেৰেঁই মোৰ প্ৰিয়তম, মোৰ বন্ধু।
৬ যিৰূচালেমৰ ৰমণীসকলৰ কথা: হে নাৰীসকলৰ মাজত পৰম
সুন্দৰী, তোমাৰ প্ৰিয় ক'লৈ গ'ল? তোমাৰ প্ৰিয়তম কোন দিশে গ'ল?
আমাক কোৱা, যাতে আমিও তোমাৰ লগতে তেওঁক বিচাৰি যাব
পাৰোঁ। ২ প্ৰিয়াৰ কথা: মোৰ প্ৰিয়তম তেওঁৰ উদ্যানলৈ নামি গৈছে,
সুগন্ধি মছলাৰ দলিচাখনলৈ; তেওঁ উদ্যানত ঘূৰি ফুৰিবলৈ, আৰু লিলি
ফুল গোটাবলৈ গৈছে। ৩ মই মোৰ প্ৰিয়ৰ, আৰু মোৰ প্ৰিয়ও মোৰেই;
তেওঁ লিলি ফুলৰ বনত আনন্দেৰে চৰে। ৪ চলোমন আৰু তেওঁৰ
কইনাই পৰস্পৰত আনন্দিত হোৱা প্ৰিয়ৰ কথা: হে মোৰ প্ৰিয়া, তুমি
তিৰ্চা নগৰৰ নিচিনা সুন্দৰী, যিৰূচালেমৰ নিচিনা মনোৰম, মোক
সম্পূৰ্ণকৈ বিমুগ্ধ কৰিছা। ৫ তুমি মোৰ পৰা তোমাৰ চকু দুটি আঁতৰ
কৰা; কিয়নো সেয়ে মোক ব্যাকুল কৰি তোলে। তোমাৰ চুলিকোছা
গিলিয়দ পাহাৰৰ পৰা তললৈ নামি অহা ছাগলীৰ জাকৰ নিচিনা।
৬ এইমাত্ৰ গা ধুই অহা মাইকী মেৰ-ছাগৰ জাকৰ নিচিনা তোমাৰ
দাঁতবোৰ। সিহঁতৰ প্ৰত্যেকৰে যমজ পোৱালি আছে, আৰু সিহঁতৰ
কোনেও নিজৰ পোৱালিক হেৰুৱা নাই। ৭ ওৰণিৰ তলত তোমাৰ
গাল দুখন দুফাল কৰা আধা ডালিমৰ নিচিনা। ৮ ষাঠিজনী ৰাণী আৰু
আশীজনী উপপত্নী, আৰু অসংখ্য যুৱতী থাকিব পাৰে; ৯ কিন্তু মোৰ
কপৌজনী, মোৰ নিখুঁতজনী হ'লে অদ্বিতীয়া; তেওঁ নিজ মাতৃৰ বিশেষ
জী, তেওঁক গৰ্ভত ধাৰণ কৰাজনৰ, তেওঁ আদৰৰ জী। মোৰ গাঁৱৰ
জীয়াৰীসকলে তেওঁক দেখি ধন্য বুলিলে; ৰাণী আৰু উপপত্নীসকলে
তেওঁক দেখি তেওঁৰ প্ৰশংসা কৰিলে। ১০ "পুৱাৰ অৰুণৰ দৰে দেখা
দিয়া, কোন এইগৰাকী যুৱতী, যি চন্দ্ৰৰ নিচিনা সুন্দৰী, সূৰ্যৰ দৰে
উজ্জ্বল আৰু সম্পূৰ্ণ মোহময়ী?" ১১ প্ৰিয়াৰ কথা: মই উপত্যকাৰ
নতুনকৈ গজা পুলিবোৰ চাবলৈ, দ্ৰাক্ষালতাই কলি ধৰিছে নে নাই
চাবলৈ, আৰু ডালিম ফুলিছে নে নাই, তাক চাবলৈ মই বাদাম গছবোৰৰ
উদ্যানখনলৈ নামি গলোঁ। ১২ মই আনন্দত উত্ৰাৱল হ'লো, মই বুজি
পোৱাৰ আগেয়েই যেন মোৰ ভালপোৱাই মোক মোৰ স্বজন, যুৱৰাজৰ

এখন ৰথত বহালে আৰু মই গৈ আছিলোঁ। ১৩ আন ৰমণীসকলৰ
কথা: হে চূলম্মীৎ, উলটি আহাঁ, উলটি আহাঁ; আমি যেন তোমাক দেখা
পাওঁ, উলটি আহাঁ। প্ৰিয়ৰ কথা: মহনয়িমৰ নৃত্য চোৱাৰ দৰে, নিখুঁত
যুৱতীজনীক আপোনালোকে কিয় চাবলৈ বিচাৰিছে?

**৭** প্ৰিয়ৰ কথা: হে ৰাজকন্যা, জোতা পিন্ধা তোমাৰ ভৰি দুখন দেখাত
কিমান যে ধুনীয়া! তোমাৰ বক্ৰ আকৃতিৰ দুটি কৰঙন মণি-মুক্তাৰ
দৰে, সেয়া যেন নিপুণ শিল্পকাৰৰ হাতৰ কাৰ্য। ২ তোমাৰ নাভি
এক গোলাকাৰ পাত্ৰৰ নিচিনা; তাত মিশ্ৰিত দ্ৰাক্ষাৰসৰ অভাৱ নহয়।
তোমাৰ উদৰ ঘেঁহু ধানৰ এক দ'মৰ নিচিনা, যাৰ চৌদিশ লিলি ফুলেৰে
ঘেৰা। ৩ তোমাৰ স্তন দুটা যেন হৰিণীৰ দুটি পোৱালি, এটি কৃষ্ণসাৰৰ
যমজ পোৱালি। ৪ হাতী-দাঁতৰ ওখ স্তম্ভৰ নিচিনা তোমাৰ ডিঙিৰ গঠণ;
তোমাৰ নয়ন দুটি, হিচবোনত বৎ–ৰব্বীম দুৱাৰৰ ওচৰত থকা পুখুৰীৰ
নিচিনা; তোমাৰ নাক লিবানোনৰ স্তম্ভৰ নিচিনা, যেন দম্মেচকলৈ যি
দম্মেচকৰ মুখ কৰি থকা লিবানোনৰ স্তম্ভ। ৫ তোমাৰ ওপৰত থকা
মূৰটো কৰ্মিল পাহাৰৰ নিচিনা, আৰু তোমাৰ মূৰৰ চুলিকোছা ঘন
বেঙেনা বৰণীয়া; সেই চুলিকোছাই ৰজাক বন্দী কৰি ৰাখিছে। ৬ হে
মোৰ প্ৰিয়া, তোমাৰ আনন্দেৰে সৈতে তুমি যে কিমান সুন্দৰ আৰু
মনোহৰ! ৭ তোমাৰ দীৰ্ঘকায় গঠণ খাজুৰ গছৰ নিচিনা, বুকুখন যেন
দ্ৰাক্ষাগুটিৰ দুটা থোক। ৮ মই মনতে ক'লো, "মই সেই খাজুৰ গছত
উঠি তাৰ ডালবোৰ ধৰিম।" তোমাৰ বক্ষযুগল দুথোপা দ্ৰাক্ষাগুটিৰ
নিচিনা হওঁক, তোমাৰ নিশ্বাসৰ ঘ্ৰাণ সুমথিৰা টেঙাৰ নিচিনা হওক; ৯
তোমাৰ মূখৰ চুমা মোৰ বাবে সকলোতকৈ উত্তম দ্ৰাক্ষাৰসৰ নিচিনা।
সেই ৰস, ওঁঠ আৰু দাঁতৰ ওপৰেদি ধীৰে ধীৰে মোৰ প্ৰিয়ালৈ বাগৰি
যাওঁক। ১০ প্ৰিয়াৰ কথা: মই মোৰ প্ৰিয়ৰ, আৰু তেওঁৰ বাঞ্ছা মোলৈ;
১১ হে মোৰ প্ৰিয়, ব'লা, আমি নগৰৰ বাহিৰলৈ যাওঁ, আৰু ৰাতি
গাৱঁবোৰত গৈ থাকোঁগৈ। ১২ ব'লা, আমি পুৱাতে উঠি দ্ৰাক্ষাবাৰীলৈ
যাওঁ; দ্ৰাক্ষালতাই কলি ধৰিছে নে নাই, তাৰ ফুল ফুলিছে নে নাই, আৰু
ডালিমৰ ফুল ফুলিছে নে নাই, তাক চাওঁগৈ; তাত মই তোমাক মোৰ
ভালপোৱা দান কৰিম। ১৩ দুদা ফলে নিজৰ সুঘ্ৰাণ বিতৰণ কৰিছে;

ন-পুৰণি সকলো ধৰণৰ ফল আমি থকা ঠাইৰ দুৱাৰতে আছে। হে
মোৰ প্রিয়, মই তোমাৰ বাবেই এই সকলো সাঁচি ৰাখিছো।

৮ প্রিয়াৰ কথা: অহ! তুমি মোৰ ভাইৰ নিচিনা হোৱা হ'লে, যি
জনে মোৰ মাতৃৰ স্তন পান কৰিছে! তেতিয়া মই তোমাক বাহিৰত
দেখা পালেও, তোমাক চুমা খাব পাৰিলোহেঁতেন; কোনেও মোক
নিন্দা কৰিব নোৱাৰিলেহেঁতেন। ২ মই তোমাক মোৰ মাৰ ঘৰলৈ
লৈ আনিলোহেঁতেন, আৰু তেওঁ মোক শিক্ষা দিব। আৰু মই
তোমাক মচলাযুক্ত দ্রাক্ষাৰস, আৰু তোমাক সুগন্ধি ডালিমৰ ৰস
পান কৰালোহেঁতেন। ৩ তেওঁৰ বাওঁ হাত মোৰ মূৰৰ তলত আছে,
আৰু তেওঁৰ সোঁ হাতে মোক আঁকোৱালি ধৰিছে। ৪ হে যিৰূচালেমৰ
যুৱতীসকল, মোৰ ওচৰত প্রতিশ্রুতি দিয়া, আমাৰ প্রেমৰ সময় শেষ
নোহোৱালৈকে তোমালোকে আমাৰ ভালপোৱাত বিঘিনি নিদিবা। ৫
যিৰূচালেমৰ ৰমণীসকলৰ কথা: নিজ প্রিয়তমৰ ওপৰত ভাৰসা কৰি
মৰুভূমিৰ পৰা সেই গৰাকী কোন আহিছে? প্রিয়াৰ কথা: যি ঠাইত
তোমাৰ মাতৃয়ে গর্ভ ধাৰণ কৰি তোমাক জন্ম দিলে, যি ঠাইত তোমাক
প্রসৱ কৰিলে, সেই সুমথিৰা টেঙাৰ গছৰ তলত মই তোমাক জগাই
তুলিলোঁ। ৬ মোহৰ মাৰাৰ দৰে তুমি মোক তোমাৰ হৃদয়ত, আৰু
তোমাৰ বাহুত ৰাখা; কিয়নো ভালপোৱা মৃত্যুৰ দৰেই শক্তিশালী,
কামনাৰ আবেগ চিয়োলৰ দৰে কঠোৰ; এক জ্বলি থকা অগ্নিশিখাৰ
দৰে ই বিস্ফোৰিত হয়, ই আন সকলো জ্বলন্ত অগ্নিশিখাতকৈও উত্তপ্ত।
(Sheol h7585) ৭ জল সমূহেও ভালপোৱাৰ শিখাক নুমাব নোৱাৰে, আৰু
বন্যাৰ ধলেও তাক উটুৱাই নিব নোৱাৰে; যদি কোনোৱে ভালপোৱাৰ
কাৰণে নিজৰ ঘৰৰ সৰ্ব্বস্ব দিয়ে, সেই সমর্পণ অৱশ্যেই তুচ্ছ কৰা
হ'ব। ৮ যুৱতীৰ ককায়েকসকলৰ কথা; আমাৰ এজনী সৰু ভনী আছে,
তাইৰ আজিলৈকে বুকু উঠা নাই; যি দিনা তাইক বিবাহৰ প্রস্তাৱ দিব,
আমি সেই ভনীৰ কাৰণে কি কৰিব পাৰোঁ? ৯ তাইৰ বুকু যদি এক
প্রাচীৰ হয়, তেন্তে আমি তাইৰ ওপৰত এটা ৰূপৰ মিনাৰ সাজিম। তাই
যদি এক দুৱাৰ হয়, তেন্তে আমি এৰচ কাঠৰ তক্তাৰে তাক অলঙ্কৃত
কৰি ৰাখিম। ১০ ককায়েকসকললৈ যুৱতীৰ কথা: মই মোৰ প্রিয় দৃষ্টিত

মই সম্পূৰ্ণ পৰিপক্ক, সেয়ে মই তেওঁৰ দৃষ্টিত অনুগ্ৰহপ্ৰাপ্ত। ১১ বাল-
হামোনত চলোমনৰ এখন দ্ৰাক্ষাবাৰী আছে; তেওঁ তাক চোৰা-চিতা
কৰিবলৈ কেইজনমান ৰখীয়াৰ হাতত তাক সমৰ্পণ কৰিছিল। তাৰ
ফলৰ বেচ হিচাবে প্ৰতিজনে এক এক হাজাৰ চেকল ৰূপ দিবলগীয়া
হৈছিল। ১২ মোৰ নিজৰ দ্ৰাক্ষাবাৰী আছে, হে মোৰ প্ৰিয় চলোমন,
সেই এক হাজাৰ চেকল তোমাৰেই আৰু দুশ চেকল ৰূপ তেওঁলোকৰ
কাৰণে, যিসকলে ফলবোৰৰ চোৰাচিতা কৰে। ১৩ প্ৰিয়ৰ কথা: হে
উদ্যানবাসিনী, তোমাৰ লগৰীয়া কেইজনে তোমাৰ স্বৰ শুনিবলৈ কাণ
পাতি আছে; তাক মোকো শুনিবলৈ দিয়া। ১৪ প্ৰিয়াৰ কথা: হে মোৰ
প্ৰিয়, শীঘ্ৰে আহা, সুগন্ধময় পাহাৰৰ ওপৰত তুমি কৃষ্ণসাৰৰ দৰে
হোৱা; অথবা যুবা হৰিণৰ সদৃশ হোৱা।

# ইসাইয়া

**১** যিহূদা দেশৰ ৰজা উজ্জিয়া, যোথম, আহজ, আৰু হিষ্কিয়াৰ
শাসনকালত আমোচৰ পুত্ৰ যিচয়াই যিহূদা আৰু যিৰূচালেমৰ বিষয়ে
পোৱা দৰ্শন। ২ হে আকাশ-মণ্ডল শুনা, আৰু হে পৃথিৱী কাণ পাতা;
কিয়নো যিহোৱাই কৈছে, “মই সন্তান সকলক প্ৰতিপালন কৰি ডাঙৰ
দীঘল কৰিলোঁ; কিন্তু তেওঁলোকে মোৰ বিৰুদ্ধে বিদ্ৰোহ আচৰণ
কৰিলে। ৩ গৰুৱে নিজৰ গৰাকীক আৰু গাধই নিজৰ মালিকৰ দানা
পাত্ৰ চিনি পায়; কিন্তু ইস্ৰায়েলে চিনি নাপায়, আৰু বুজিও নাপায়।”
৪ হায় হায় পাপী জাতি, আৰু অপৰাধত ভাৰাগ্ৰস্ত লোক, কুকৰ্ম
কৰাসকলৰ বংশধৰ, হে ভ্ৰষ্টতাৰে কাৰ্য কৰা সন্তান সকল! তেওঁলোকে
যিহোৱাক ত্যাগ কৰিলে, তেওঁলোক ইস্ৰায়েলৰ পবিত্ৰ ঈশ্বৰ জনাক
হেয়জ্ঞান কৰিলে; তেওঁলোক নিজকে তেওঁৰ পৰা বিছিন্ন কৰিলে।
৫ তোমালোকে কিয় বিদ্ৰোহ আচৰণ কৰি থাকা? তোমালোক কিয়
এতিয়াও প্ৰহাৰিত হ’বা? সম্পূৰ্ণ মূৰ ৰোগাগ্ৰস্ত, আৰু সম্পূৰ্ণ হৃদয়
দুৰ্ব্বল; ৬ ভৰিৰ তলুৱাৰে পৰা মুৰলৈকে কোনো এটা অংশ আঘাত
নোপোৱাকৈ নাই; কেৱল ঘা, আঘাত, আৰু মুকলি ঘাঁবোৰ সতেজ;
সেইবোৰ বন্ধ কৰা নাই, চাফা কৰা নাই আৰু বন্ধা নাই, নাইবা
তেলেৰে সুশ্ৰূষাও কৰা নাই। ৭ তোমালোকৰ দেশ উচ্ছন্ন হৈছে;
তোমালোকৰ নগৰবোৰ অগ্নিদগ্ধ হৈছে; বিদেশীলোকে তোমালোকৰ
চকুৰ আগতে সেইবোৰ ধ্বংস কৰিছে; সেয়ে বিদেশীসকলৰ বিধ্বংসৰ
দ্বাৰাই পৰিত্যক্ত কৰি উচ্ছন্ন কৰা হৈছে। ৮ দ্ৰাক্ষাবাৰীৰ পঁজাৰ দৰে,
আৰু তিয়ঁহ বাৰীৰ চাঙিৰ দৰে, আৰু অৱৰোধ কৰা নগৰৰ দৰে,
চিয়োন-জীয়ৰী পৰিত্যক্ত হৈছে। ৯ বাহিনীসকলৰ যিহোৱাই আমাৰ
বাবে অলপ অৱশিষ্ট নৰখা হ’লে, আমি চদোম আৰু ঘমোৰাৰ দৰে
হলোঁহেঁতেন। ১০ হে চদোমৰ শাসনকৰ্ত্তাসকল, যিহোৱাৰ বাক্য শুনা;
হে ঘমোৰাৰ লোকসকল আমাৰ ঈশ্বৰৰ বিধানলৈ মনোযোগ দিয়া। ১১
যিহোৱাই কৈছে, “মোলৈ তোমালোকৰ বহু সংখ্যক বলিদান কি?”
মেৰ-ছাগ পোৱালি আৰু হৃষ্টপুষ্ট পশুৰ তেলেৰে দিয়া হোম বলি মোৰ
যথেষ্ট আছে; ভতৰা গৰু, মেৰ-ছাগ, বা ছাগলীবোৰৰ তেজত মই

সন্তুষ্ট নহওঁ। ১২ যেতিয়া তোমালোকে মোৰ আগত উপস্থিত হ'বলৈ
আহাঁ, আৰু মোৰ চোতালখন গচকা, তেতিয়া তোমালোকৰ পৰা
এইবোৰ কোনে খুজিছিল? ১৩ অনৰ্থক নৈবেদ্য আৰু নানিবা; আৰু ধূপ
মোলৈ ঘিণলগীয়া; তোমালোকৰ ন-জোন, বিশ্ৰামবাৰ, আৰু মই এই
দুষ্টসকলৰ সভাসমূহ সহিব নোৱাৰোঁ। ১৪ তোমালোকৰ ন-জোন,
আৰু তোমালোকৰ নিৰূপিত উৎসৱবোৰ মোৰ আত্মাই ঘিণ কৰে;
সেইবোৰ মোলৈ ভাৰ স্বৰূপ, মই সেইবোৰ সহন কৰি ভাগৰি গলোঁ।
১৫ সেয়ে তোমালোকে যেতিয়া প্ৰাৰ্থনাৰ বাবে তোমালোকৰ হাত মেলা,
তেতিয়া মই তোমালোকৰ পৰা দৃষ্টি আঁতৰাওঁ; এনে কি, তোমালোকে
প্ৰাৰ্থনা কৰি থাকিলেও মই নুশুনিম; তোমালোকৰ হাত নিৰ্দোষীৰ
তেজেৰে পৰিপূৰ্ণ হৈছে। ১৬ নিজকে ধুই শুচি কৰা; মোৰ দৃষ্টিৰ পৰা
তোমালোকৰ পাপ কৰ্মবোৰ দূৰ কৰা; পাপ কৰিবলৈ বন্ধ কৰা, ১৭
ভাল কৰ্ম কৰিবলৈ শিকা। ন্যায়বিচাৰ বিচাৰা, আৰু নিপীড়িতক সহায়
কৰা, পিতৃহীনক ন্যায় দিয়া আৰু বিধৱাক সুৰক্ষা দিয়া।" ১৮ যিহোৱাই
কৈছে, "এতিয়া আহাঁ, আমি তৰ্কবিতৰ্ক কৰোঁহক," তোমালোকৰ
পাপবোৰ উজ্বল ৰঙা হ'লেও, হিমৰ দৰে বগা কৰা হ'ব; আৰু অগ্নিবৰ্ণৰ
দৰে ৰঙা হ'লেও, ঊণৰ দৰে হৈ পৰিব। ১৯ তোমালোকে যদি ইচ্ছা
কৰা আৰু বাধ্য হোৱা, তেনেহ'লে তোমালোকে দেশৰ উত্তম ফল
ভোগ কৰিবলৈ পাবা। ২০ কিন্তু যদি তোমালোক অসন্মত হৈ বিদ্ৰোহ
আচৰণ কৰা, তেনেহ'লে তৰোৱালৰ দ্বাৰাই গ্ৰাস কৰা হ'ব," কিয়নো
যিহোৱাৰ মুখে এই কথা ক'লে। ২১ কিদৰে বিশ্বাসী নগৰ বেশ্যালৈ
পৰিণত হ'ল! তেওঁ ন্যায় বিচাৰেৰে আৰু ধাৰ্মিকতাৰে পৰিপূৰ্ণ আছিল;
কিন্তু এতিয়া তেওঁ হত্যাকাৰীসকলৰ দ্বাৰা পৰিপূৰ্ণ। ২২ তোমালোকৰ
ৰূপ বিশুদ্ধলৈ পৰিণত হ'ল, আৰু তোমালোকৰ দ্ৰাক্ষাৰস পানীৰে
মিহলোৱা হ'ল। ২৩ তোমালোকৰ শাসনকৰ্তাসকল বিদ্ৰোহী আৰু
চোৰৰ সঙ্গী হ'ল; প্ৰতিজনে উৎকোচ ভাল পায়, আৰু পুৰস্কাৰৰ পাছত
দৌৰে; তেওঁলোকে পিতৃহীনক সুৰক্ষা নিদিয়ে, নাইবা বিধৱাৰ গোচৰ
তেওঁলোকে আগলৈ নানে। ২৪ এই কাৰণে বাহিনীসকলৰ যিহোৱা,
ইস্ৰায়েলৰ পৰাক্ৰমী জনা প্ৰভুৱে এই কথা কৈছে: "তেওঁলোকৰ সন্তাপ

হওক! মই মোৰ শত্ৰুসকলৰ বিৰুদ্ধে প্ৰতিশোধ ল'ম, আৰু মোৰ
শত্ৰুসকলৰ বিৰুদ্ধে মই নিজে প্ৰতিশোধ সাধিম; ২৫ মই তোমালোকৰ
বিৰুদ্ধে মোৰ হাত ঘূৰাই আনিম, তোমালোকৰ আবৰ্জনাবোৰ আঁতৰাই
শুদ্ধ কৰিম, আৰু তোমালোকৰ সকলো অসাৰ বস্তু নাইকিয়া কৰিম।
২৬ মই আগৰ দৰেই তোমালোকৰ বিচাৰকৰ্তাসকলক, আৰু আৰম্ভণীৰ
দৰে তোমালোকৰ পৰামৰ্শদাতাসকলক পুনৰায় স্থাপন কৰিম; তাৰ
পাছতহে তোমালোকে ধাৰ্মিকতাৰ দ্বাৰাই আৰু বিশ্বাসীৰ নগৰ নামেৰে
প্ৰখ্যাত হ'বা।" ২৭ চিয়োন ন্যায়বিচাৰৰ দ্বাৰাই, আৰু ধাৰ্মিকতাৰ
দ্বাৰাই অনুতপ্ত হ'ব। ২৮ বিদ্ৰোহী আৰু পাপীসকল একেলগে চূৰ্ণ
কৰা হ'ব, আৰু যিহোৱাক ত্যাগ কৰাসকলক তেওঁলোকৰ সৈতে নষ্ট
কৰা হ'ব। ২৯ "কিয়নো তোমালোকে পবিত্ৰ ওক গছবোৰত আৰাধনা
কৰা দেৱতাবোৰৰ বাবে লাজ পাবা, আৰু তোমালোকৰ মনোনীত
বাগিছাবোৰৰ বাবে বিভ্ৰান্ত হ'বা। ৩০ কাৰণ তোমালোক ওক গছৰ
শুকান পাতৰ দৰে, আৰু পানী নথকা বাগিছাৰ দৰে হ'বা। ৩১ পৰাক্ৰমী
লোক জ্বলি শেষ হৈ যোৱা পদাৰ্থৰ দৰে, আৰু তেওঁৰ কৰ্ম ফিৰিঙতিৰ
দৰে হ'ব; সেইবোৰ দুয়ো একেলগে জ্বলিব আৰু কোনেও তাক নুমাব
নোৱাৰিব।

২ আমোচৰ পুত্ৰ যিচয়াই যিহূদা আৰু যিৰূচালেমৰ বিষয়ে পোৱা
দৰ্শন। ২ ভবিষ্যতৰ দিনবোৰত, যিহোৱাৰ পৰ্ব্বতত গৃহ স্থাপন কৰা
হ'ব পৰ্ব্বতবোৰৰ দৰে ওখ আৰু পাহাৰবোৰতকৈয়ো উচ্চ কৰা হ'ব;
আৰু সকলো জাতি তালৈ সোঁত বোৱাৰ দৰে বৈ যাব। ৩ অনেক লোক
আহিব আৰু ক'ব, "আহঁা, আমি যিহোৱাৰ পৰ্ব্বতলৈ, আৰু যাকোবৰ
ঈশ্বৰৰ গৃহলৈ উঠি যাওহঁক; সেয়ে তেওঁ আমাক তেওঁৰ কিছুমান পথৰ
বিষয়ে শিক্ষা দিব; তাতে আমি তেওঁৰ পথত গমন কৰিব পাৰিম।"
কিয়নো চিয়োনৰ পৰা বিধান আৰু যিৰূচালেমৰ পৰা যিহোৱাৰ বাক্য
ওলাই যাব। ৪ তেওঁ দেশবোৰৰ মাজত বিচাৰ কৰিব, আৰু অনেক
লোকৰ বাবে সিদ্ধান্ত ল'ব; তেওঁলোকে নিজৰ তৰোৱাল ভাঙি নাঙলৰ
ফাল গঢ়াব, আৰু যাঠি ভাঙি কলম দিয়া কটাৰী গঢ়াব; এখন দেশে
আনখন দেশৰ বিৰুদ্ধে তৰোৱাল নাদাঙিব, নাইবা তেওঁলোকে যুদ্ধ-

বিদ্যা আৰু নিশিকিব। ৫ হে যাকোবৰ বংশ আহাঁ, যিহোৱাৰ পোহৰত
চলি যাওঁহঁক। ৬ কিয়নো তুমি তোমাৰ যাকোবৰ বংশৰ লোকসকলক
ত্যাগ কৰিলা; কাৰণ তেওঁলোক পূবদেশৰ ৰীতি নীতিৰে পৰিপূৰ্ণ,
আৰু পলেষ্টীয়াসকলৰ দৰে ভৱিষ্যত পঢ়ালোক সকলে, বিদেশীৰ
সন্তানসকলৰ লগত মিত্ৰতা কৰে। ৭ তেওঁলোকৰ দেশ ৰূপেৰে আৰু
সোণেৰে পৰিপূৰ্ণ, আৰু তেওঁলোকৰ ধনসম্পত্তি সীমাহীন; তেওঁলোকৰ
দেশ ঘোঁৰাৰে পৰিপূৰ্ণ, আৰু তেওঁলোকৰ ৰথৰ সীমাহীন। ৮ মূৰ্ত্তিৰে
তেওঁলোকৰ দেশ পৰিপূৰ্ণ, তেওঁলোকে নিজৰ হাতেৰে গঢ়া, আৰু
নিজৰ আঙুলিৰে সজা মূৰ্তিক সেৱা কৰে। ৯ লোকসকলে আঠুকাঢ়ি
প্ৰণিপাত কৰিব, আৰু ব্যক্তিগতভাৱে তলত পৰিব, সেই কাৰণে
তেওঁলোকক ক্ষমা কৰা নহ'ব। ১০ যিহোৱাৰ ভয়ৰ পৰা, আৰু তেওঁ
ঐশ্বৰ্যৰ প্ৰতাপৰ পৰা তোমালোক শিলাময় ঠাইলৈ যোৱা আৰু মাটিত
লুকুৱা। ১১ মানুহৰ উৰ্দ্ধদৃষ্টি অৱনত হ'ব; আৰু লোকসকলৰ গৰ্ব্ব নাশ
কৰা হ'ব; আৰু ভৱিষ্যতৰ সেই সোধবিচাৰ দিনা কেৱল যিহোৱাই
উন্নত হ'ব। ১২ কিয়নো গৰ্ব্বী, অহংকাৰী, আৰু উন্নত হোৱা সকলোৰে
বিৰুদ্ধে বাহিনীসকলৰ যিহোৱা এদিন আহিব, আৰু সকলোকে নত
কৰিব; ১৩ আৰু লিবানোনৰ সকলো ওখ আৰু উন্নত এৰচ গছ, আৰু
বাচানৰ সকলো ওক গছৰ বিৰুদ্ধে ১৪ সকলো ওখ পৰ্ব্বত, সকলো ওখ
পাহাৰ, ১৫ সকলো ওখ স্তম্ভ, সকলো দৃঢ় দেৱাল, ১৬ তৰ্চীচৰ সকলো
জাহাজ, আৰু সকলো ধুনীয়া নাওৰ বিৰুদ্ধে, ১৭ মানুহৰ অহংকাৰ
নত কৰা হ'ব, আৰু লোকসকলৰ গৰ্ব্ব নাশ কৰা হ'ব; সেইদিনা
কেৱল যিহোৱাই উন্নত হ'ব। ১৮ মূৰ্ত্তিবোৰ সম্পূৰ্ণকৈ আঁতৰোৱা
হ'ব। ১৯ যিহোৱাৰ ভয়, আৰু তেওঁৰ ঐশ্বৰ্যৰ প্ৰতাপৰ পৰা বাচিবলৈ,
লোকসকল শিলৰ গুহাত আৰু মাটিৰ গাতত সোমাব। ২০ সেইদিনা
লোকসকলে ৰূপ আৰু সোণৰ মূৰ্ত্তিবোৰ পেলাব, আৰাধনা কৰিবলৈ
নিজৰ বাবে তেওঁলোকে সাজি লোৱা মুৰ্ত্তিবোৰ তেওঁলোকে এন্দুৰ আৰু
বাদুলীৰ আগত পেলাই দিব। ২১ যিহোৱাই যেতিয়া পৃথিৱী কঁপাব
তেতিয়া তেওঁৰ ভয়ৰ পৰা আৰু তেওঁৰ ঐশ্বৰ্যৰ প্ৰতাপৰ পৰা, বাচিবলৈ
লোকসকল শিলৰ গুহা, আৰু অসমান শিলৰ গাতৰ ভিতৰত সোমাব।

২২ নাকেৰে নিশ্বাস লোৱা মানুহক বিশ্বাস কৰিবলৈ এৰা; কিহৰ বাবে
তেওঁ গণ্য হ'ব পাৰে?

৩ কিয়নো চোৱা, বাহিনীসকলৰ প্ৰভু যিহোৱাই, যিৰূচালেম আৰু
যিহূদাৰ পৰা লাখুটি আৰু সাহায্য, আহাৰৰ সকলো যোগান, আৰু
পানীৰ সকলো যোগান গুচাব। ২ পৰাক্ৰমী লোক, যুদ্ধাৰু, বিচাৰকৰ্ত্তা,
ভাববাদী, মঙ্গল চোৱা লোক আৰু প্ৰধানলোক, ৩ পঞ্চাশপতি সন্মানীয়
নাগৰিক, পৰামৰ্শদাতা, দক্ষ শিল্পকাৰ, আৰু নিপুণ মায়াবী, এই
সকলো দূৰ কৰিব। ৪ "মই কেৱল যুৱকসকলক তেওঁলোকৰ অধিপতি
নিযুক্ত কৰিম, আৰু যুৱকসকলে তেওঁলোকৰ ওপৰত শাসন কৰিব।
৫ প্ৰতিজন লোকে ইজনে সিজনৰ পৰা, আৰু নিজৰ চুবুৰীয়াৰ পৰা
উপদ্ৰৱ পাব; সন্তানে অহংকাৰেৰে ডাঙৰক অমান্য কৰিব, আৰু
নীহ লোকে সন্মানীয় লোকক প্ৰত্যাহ্বান দিব। ৬ এনে কি, এজন
মানুহে নিজৰ ভায়েকক নিজৰ পিতৃৰ ঘৰত ধৰি ক'ব, "তোমাৰ
এটা বস্ত্ৰ আছে, আমাৰ শাসনকৰ্ত্তা হোৱা, আৰু এই ধ্বংস তোমাৰ
অধীনত হওঁক।" ৭ সেই দিনা তেওঁ চিঞৰী ক'ব, "মই সুস্থকাৰী
হ'ব নোৱাৰো; মোৰ আহাৰ অথবা বস্ত্ৰ নাই; তোমালোকে মোক
লোকসকলৰ শাসনকৰ্ত্তা নিযুক্ত কৰিব নোৱাৰা।" ৮ কাৰণ যিৰূচালেম
ধ্বংস হৈছে, আৰু যিহূদা পতিত হৈছে; কিয়নো তেওঁলোকৰ কথা
আৰু কাৰ্যবোৰ যিহোৱাৰ বিৰুদ্ধে, এনে কি, তেওঁৰ ৰাজকীয় ক্ষমতাও
অমান্য কৰা হৈছে। ৯ তেওঁলোকৰ মুখ-চোৱা কাৰ্যই তেওঁলোকৰ
বিৰুদ্ধে সাক্ষ্য দিয়ে, আৰু তেওঁলোকৰ নিজৰ পাপ গোপন নকৰি
চদোমৰ দৰে প্ৰকাশ কৰে। তেওঁলোকৰ সন্তাপ হ'ব! কাৰণ তেওঁলোকে
নিজৰ ওপৰত আকস্মিক দুৰ্ঘটনা আনে। ১০ তোমালোকে ধাৰ্মিক
লোকৰ বিষয়ে কোৱা যে, তেওঁলোকৰ মঙ্গল হ'ব, কাৰণ তেওঁলোকে
নিজৰ কাৰ্যৰ ফল ভোগ কৰিব। ১১ দুষ্ট লোকৰ সন্তাপ হ'ব; তেওঁৰ
অমঙ্গল হ'ব; কাৰণ তেওঁৰ হাতৰ কাৰ্যৰ ফল তেওঁ পাব। ১২ মোৰ
লোকসকল! সন্তান সকল তেওঁলোকৰ উপদ্ৰৱকাৰী, আৰু মহিলাসকলে
তেওঁলোকৰ ওপৰত শাসন কৰিব। মোৰ লোকসকল, তোমালোকৰ
পৰিচালকসকলে তোমালোকক বিপথে নিব, আৰু তোমালোকৰ

পথৰ লক্ষ্য বিভ্ৰান্ত কৰিব। ১৩ যিহোৱাই ন্যায়ালয়ত থিয় হৈছে;
তেওঁ তেওঁৰ লোকসকলৰ বিচাৰ কৰিবলৈ থিয় হৈছে। ১৪ যিহোৱাই
পৰিচাৰকসকল আৰু লোকসকলৰ অধ্যক্ষসকলৰ বিচাৰত কৈছে,
"তোমালোকে দ্ৰাক্ষাবাৰীখন খাই পেলাইছিলা, আৰু দৰিদ্ৰসকলৰ
পৰা কাঢ়া বস্তু তোমালোকৰ ঘৰতেই আছে। ১৫ বাহিনীসকলৰ প্ৰভু
যিহোৱাই কৈছে, তোমালোকে কিয় মোৰ লোকসকলক চূৰ্ণ কৰিলা,
আৰু দৰিদ্ৰসকলৰ মুখ পিহিলা? ১৬ যিহোৱাই কৈছে যে, চিয়োনৰ
জীয়াৰীসকল অহংকাৰী, আৰু নিজৰ মুৰ দাঙি অহঙ্কাৰেৰে খোজ
কাঢ়ে, আৰু তেওঁলোকে চকুৰে প্ৰেমৰ অভিনয় কৰে, তেওঁলোকে
কৃত্ৰিম ভংগীত খোজ দিয়ে, আৰু ভৰিৰে মৃদু শব্দ কৰে। ১৭ সেই
কাৰণে যিহোৱাই চিয়োনৰ জীয়াৰীসকলৰ মুৰত খজুৱতি ৰোগ দিব,
আৰু যিহোৱাই তেওঁলোকক টকলা কৰাব। ১৮ সেই দিনা প্ৰভুৱে
তেওঁলোকৰ ধুনীয়া নেপুৰ, মুৰৰ ফিটা, অৰ্ধচন্দ্ৰকাৰ অলঙ্কাৰ, ১৯
কাণফুলি, খাৰু, ওৰণি, ২০ কপালি, ভৰিৰ শিকলি, টঙালি, সুগন্ধি
দ্ৰব্যৰ টেমা, অমঙ্গল নিবাৰণ কৰা তাবীজ। ২১ তেওঁ আঙঠি, আৰু
নথ সকলো সোলোকাব; ২২ উৎসৱৰ সাজ, আৱৰণ, ওৰণি, আৰু
হাতত লোৱা বেগ, ২৩ হাতত লোৱা দাপোণ, মিহি শন সূতাৰ বস্ত্ৰ,
পাগুৰি, আৰু গা ঢকা কাপোৰ, এই সকলো শোভাৰ বস্ত্ৰ কাঢ়ি ল'ব।
২৪ সুগন্ধি দ্ৰব্যৰ সলনি দুৰ্গন্ধ, আৰু টঙালিৰ সলনি ৰচি, পৰিপাটিকৈ
ৰখা চুলিৰ সলনি টকলা মূৰ, আৰু দীঘল পৰিধান বস্ত্ৰৰ সলনি চট
কাপোৰ, আৰু সৌন্দৰ্যৰ সলনি পোৰা দাগ দিব। ২৫ তোমালোকৰ
পুৰুষসকল তৰোৱালৰ দ্বাৰাই পৰাজিত হ'ব, আৰু তোমালোকৰ
পৰাক্ৰমী লোকসকল ৰণত পৰাজয় হ'ব। ২৬ যিৰূচালেমৰ ৰাজ-
দুৱাৰবোৰে ক্ৰন্দন আৰু বিলাপ কৰিব, আৰু তেওঁ অকলশৰে মাটিত
বহিব।

**4** সেই দিনা সাত গৰাকী মহিলাই এজন পুৰুষক ধৰিব, আৰু ক'ব,
"আমি আমাৰ নিজৰ আহাৰ খাম, আৰু নিজৰ বস্ত্ৰ পিন্ধিম; কিন্তু আমাৰ
লাজ দূৰ কৰিবলৈ আপোনাৰ নাম লবলৈ দিয়ক।" ২ সেই দিনা
যিহোৱাৰ শাখা সৌন্দৰ্যময়, প্ৰতাপী, আৰু পৃথিৱীত উৎপন্ন হোৱা ফল

সুস্বাদু হ’ব আৰু ইস্ৰায়েলৰ ৰক্ষা পোৱা সকলৰ বাবে আনন্দদায়ক
হ’ব। ৩ তেতিয়া চিয়োন আৰু যিৰূচালেমত থকা অৱশিষ্ট লোকসকলৰ
নাম জীৱন পুস্তকত লিখা থাকিব, আৰু তেওঁলোক প্ৰতিজনকে পবিত্ৰ
বুলি কোৱা হ’ব। ৪ ন্যায়ৰ আত্মাৰ দ্বাৰাই আৰু জ্বলি থকা জুইৰ আত্মাৰ
দ্বাৰাই প্ৰভুৱে যেতিয়া চিয়োন জীয়াৰীসকলৰ কলুষ ধুই পেলাব, আৰু
যিৰূচালেমৰ মাজৰ পৰা তেজৰ দাগ পৰিস্কাৰ কৰিব। ৫ তেতিয়া
যিহোৱাই চিয়োন পৰ্ব্বতৰ সকলো ঠাই, আৰু তাৰ সকলো সমবেত
হোৱা ঠাইৰ ওপৰত দিনত মেঘ আৰু ধোঁৱাৰে, আৰু ৰাতি জ্বলন্ত
অগ্নিশিখাৰ পোহৰৰ দ্বাৰাই সমুদায় প্ৰতাপৰ ওপৰত এখন চন্দ্ৰতাপ
হ’ব। ৬ এই সকলো দিনৰ সময়ত গৰমৰ পৰা ৰক্ষা পাবলৈ ছাঁ, আৰু
ধুমুহা আৰু বৰষুণৰ পৰা ৰক্ষা পাবলৈ আশ্ৰয় আৰু আৱৰণ হ’ব।

৫ মোৰ প্ৰিয়ৰ উদ্দেশ্যে গীত গাঁও, তেওঁৰ দ্ৰাক্ষাবাৰীৰ বিষয়ে মোৰ
প্ৰিয় গীত গাঁও। মোৰ প্ৰিয়ৰ অতি উৰ্ব্বৰা এক পাহাৰত এখন দ্ৰাক্ষাবাৰী
আছিল। ২ তেওঁ তাক খানি তাৰ পৰা শিলবোৰ উলিয়াই পেলালে,
আৰু তাত উত্তম দ্ৰাক্ষালতা ৰুলে, তাৰ মাজত এটা ওখ স্তম্ভ সাজিলে,
আৰু এটা দ্ৰাক্ষাকুণ্ডও নিৰ্মাণ কৰিলে; তেওঁ উত্তম দ্ৰাক্ষাগুটি লগা আশা
কৰিছিল, কিন্তু তাত বনৰীয়া দ্ৰাক্ষাগুটি লাগিল। ৩ সেয়ে এতিয়া হে
যিৰূচালেম নিবাসীসকল আৰু যিহূদাৰ লোকসকল, মোৰ আৰু মোৰ
দ্ৰাক্ষাবাৰীৰ মাজত বিচাৰ কৰা। ৪ মই মোৰ দ্ৰাক্ষাবাৰীৰ বাবে আৰু কি
কৰিব পাতিলোঁ হেতেন, যিটো মই তাৰ বাবে কৰা নাই? মই দ্ৰাক্ষাগুটি
লাগিবৰ অপেক্ষাত থাকোঁতে, কিয় তাত বনৰীয়া দ্ৰাক্ষাগুটি লাগিল?
৫ মই মোৰ দ্ৰাক্ষাবাৰীলৈ যি কৰিম এতিয়া তাক মই তোমালোকক
জনাওঁ; মই জোপোহা গছৰ বেৰাবোৰ গুচাম, মই তাক চৰণীয়া
পথাৰলৈ ৰূপান্তৰিত কৰিম, আৰু তাৰ দেৱালবোৰ ভাঙিম তাতে তাক
গছকা হ’ব। ৬ মই তাৰ জাৱৰবোৰ তাতে ৰাখিম; আৰু ইয়াক কলম
দিয়া নহ’ব, বা কোৰ মৰাও নহ’ব। কিন্তু তাত কাঁইট গছ আৰু কাঁইটিয়া
বন গজি উঠিব, আৰু মই মেঘক ইয়াৰ ওপৰত বৰষুণ নিদিবলৈ আজ্ঞা
দিম। ৭ কিয়নো ইস্ৰায়েল বংশৰ বাহিনীসকলৰ যিহোৱাৰ দ্ৰাক্ষাবাৰী,
আৰু যিহূদাৰ লোকসকল তেওঁৰ আনন্দদায়ক গছ ৰোৱা লোক; তেওঁ

ন্যায়ৰ বাবে অপেক্ষা কৰিছিল, কিন্তু তাৰপৰিৱৰ্তে তাত হত্যা কৰা
হৈছিল; ধাৰ্মিকতালৈ অপেক্ষা কৰিছিল, কিন্তু তাৰপৰিৱৰ্তে সহায়ৰ
বাবে ক্ৰন্দন হৈছিল। ৮ ঘৰৰ লগত ঘৰ, আৰু পথাৰৰ লগত পথাৰ যোগ
দিয়া সকলৰ সন্তাপ হওক; কোঠালি অৱশিষ্ট নাথকালৈকে, দেশত
কেৱল তোমালোক অবশিষ্ট থাকিবা। ৯ বাহিনীসকলৰ যিহোৱাই মোক
কৈছিল, “অনেক ঘৰ খালী হৈ থাকিব, এনে কি, ডাঙৰ আৰু সুন্দৰ
ঘৰবোৰতো কোনো প্ৰাণী বাস নকৰাকৈ থাকিব। ১০ কিয়নো দহ
একৰ আসক্ত হ’বলৈ অতি ৰাতিপুৱাতে উঠে, আৰু এক হোমৰ বীজত
এক ঐফা উৎপন্ন হয়। ১১ আৰু দ্ৰাক্ষাৰসেৰে মতলীয়া নোহোৱালৈকে
বহু ৰাতিলৈকে বহি থাকে তেওঁলোকৰ সন্তাপ হ’ব। ১২ তেওঁলোকৰ
ভোজৰ আয়োজন বীণা, নেবল, খঞ্জৰী, বাঁহী, আৰু দ্ৰাক্ষাৰস; কিন্তু
তেওঁলোকে যিহোৱাৰ কাৰ্য বুজি নাপায়, নাইবা তেওঁৰ হাতৰ কাৰ্য
বিবেচনা নকৰে। ১৩ এই হেতুকে জ্ঞানৰ অভাৱত মোৰ লোকসকলক
বন্দীত্বলৈ নিয়া হৈছে; তেওঁলোকৰ মূখ্যলোক সকল ভোকাতুৰ হৈছে,
আৰু তেওঁৰ লোক সকলৰ পান কৰিবলৈ পানী নাছিল। ১৪ সেই
কাৰণে মৃত্যুৱে তেওঁলোকৰ ভোক বঢ়াইছে, আৰু নিজৰ মুখ বহলকৈ
মেলিছে, তেওঁলোকৰ মাজৰ অভিজাতলোক, লোক সমূহ, মূখ্যলোক,
আনন্দকৰা লোক, আৰু উল্লাসিত লোকসকল চিয়োললৈ নামি গৈছে।
**(Sheol h7585)** ১৫ মানুহবোৰে তলমুখ কৰিছে, আৰু মহান লোক নম্ৰ
হৈছে, আৰু অহঙ্কাৰীবোৰৰ দৃষ্টি নত হৈছে। ১৬ বাহিনীসকলৰ যিহোৱা
ন্যায় বিচাৰত উন্নত হৈছে, আৰু পবিত্ৰ ঈশ্বৰ নিজৰ ধাৰ্মিকতাত
পবিত্ৰীকৃত হৈছে। ১৭ তাৰ পাছত মেৰ-ছাগবোৰে নিজৰ চৰণীয়া
পথাৰত চৰাৰ দৰে চৰিছে, আৰু ধনী লোকৰ ধ্বংসাৱশেষৰ মেৰ-
ছাগবোৰে চৰিছে। ১৮ যিসকলে অসাৰতাৰূপ ৰছীৰে অপৰাধ আৰু
ৰছীৰে গাড়ী টনা জৰী সৈতে পাপ টানি নিয়ে, তেওঁলোকৰ সন্তাপ
হ’ব; ১৯ যি সকলে কয়, ঈশ্বৰ লৰালৰি কৰক, তেওঁৰ কাৰ্য শীঘ্ৰে
কৰক, সেয়ে আমি ইয়াক ঘটা দেখিবলৈ পাম; আৰু আমি যেন
জানিব পৰো তাৰ বাবে ইস্ৰায়েলৰ পবিত্ৰ ঈশ্বৰ জনাৰ কল্পনাই
আকৃতিলৈ আহক।” ২০ যি সকলে বেয়াক ভাল আৰু ভালক বেয়া

বোলে, যি সকলে আন্ধাৰক পোহৰৰ দৰে আৰু পোহৰক আন্ধাৰৰ
দৰে, আৰু যি সকলে তিতাক মিঠাৰ দৰে আৰু মিঠাক তিতাৰ দৰে
জ্ঞান কৰে, তেওঁলোকৰ সন্তাপ হ'ব। ২১ যি সকল নিজৰ দৃষ্টিত জ্ঞানী,
আৰু নিজৰ বিবেচনাত বিচক্ষণ, তেওঁলোকৰ সন্তাপ হ'ব। ২২ যি
সকল দ্ৰাক্ষাৰস পান কৰাত প্ৰথমশ্ৰেণীৰ, আৰু সুৰা মিহলি কৰাত
নিপুণ, তেওঁলোকৰ সন্তাপ হ'ব। ২৩ ভেঁটীৰ বাবে যি সকলে দুষ্টক
নিৰ্দ্দোষী কৰে, আৰু নিৰ্দ্দোষীক ধাৰ্মিকতাৰ পৰা বঞ্চিত কৰে। ২৪
এই হেতুকে জুইৰ জিভাই যেনেকৈ নৰা গ্ৰাস কৰে আৰু অগ্নিশিখাত
যেনেকৈ শুকান ঘাঁহ ভস্ম হৈ যায়, সেয়ে তেওঁলোকৰ ভিত্তিমূল পচিব,
আৰু তেওঁলোকৰ ফুলবোৰ ধুলিৰ দ্বৰে উড়ি যাব; কাৰণ তেওঁলোকে
বাহিনীসকলৰ যিহোৱাৰ ব্যৱস্থা অগ্ৰাহ্য কৰিলে, আৰু ইস্ৰায়েলৰ পবিত্ৰ
ঈশ্বৰৰ বাক্য তুচ্ছ জ্ঞান কৰিলে। ২৫ এই হেতুকে নিজৰ লোকসকলৰ
বিৰুদ্ধে যিহোৱাৰ ক্ৰোধ প্ৰজলিত হ'ল, আৰু তেওঁলোকৰ বিৰুদ্ধে তেওঁ
হাত মেলি তেওঁলোকক প্ৰহাৰ কৰিলে; তাতে পৰ্ব্বতবোৰ কঁপিল,
আৰু বাটৰ মাজত তেওঁলোকৰ শৱবোৰ বাটৰ জাবৰৰ দ্বৰে হ'ল,
কিন্তু এতিয়াও তেওঁ দণ্ড দিবলৈ হাত দাঙি আছে। ২৬ তেওঁ দূৰৰ
দেশবোৰৰ বাবে সঙ্কেত দিয়া পতাকা তুলিব, আৰু পৃথিৱীৰ অন্তৰ পৰা
তেওঁলোকৰ বাবে সুহুৰি মাৰিব; চোৱা তেওঁলোক ক্ষিপ্ৰতাৰে আৰু
শীঘ্ৰে আহিব! ২৭ তেওঁলোকৰ মাজৰ কোনেও ক্লান্ত নহ'ব, নাইবা
উজুটি নাখাব, আৰু টোপনি নাযাব নাইবা গভীৰ টোপনি নাযাব;
নাইবা তেওঁলোকৰ কটিবন্ধন ঢিলা নহ'ব, নাইবা তেওঁলোকৰ জোতাৰ
আগভাগো নাভাঙিব। ২৮ তেওঁলোকৰ কাঁড়বোৰ চোকা, আৰু আটাই
ধনু ভিৰোৱা; তেওঁলোকৰ ঘোঁৰাবোৰৰ খুৰা চকমকিয়া পাথৰৰ দৰে,
আৰু তেওঁলোকৰ ৰথৰ চক্ৰবোৰ ধুমুহাৰ দৰে; ২৯ তেওঁলোকৰ গৰ্জ্জন
সিংহৰ গৰ্জ্জনৰ দৰে হ'ব; তেওঁলোকে যুবা সিংহৰ দৰে গুজৰিব এনে
কি, কোনেও উদ্ধাৰ কৰিব নোৱাৰাকৈ তেওঁলোকে গুজৰি চিকাৰ ধৰিব
আৰু টানি লৈ যাব। ৩০ সেই দিনা তেওঁলোকে সমুদ্ৰই গৰ্জ্জন কৰাৰ
দৰে চিকাৰৰ বিৰুদ্ধে গৰ্জ্জন কৰিব, কোনোৱে যদি ভূমিৰ ওপৰেৰে

চায় তেওঁ কেৱল অন্ধকাৰ আৰু সঙ্কট দেখিব, আৰু মেঘৰ দ্বাৰাই পোহৰ
অন্ধকাৰময় হ'ব।

৬ উজ্জিয়া ৰজা মৃত্যু হোৱা বছৰত, মই প্ৰভুক উচ্চ আৰু উন্নত
সিংহাসনত বহি থকা দেখিলোঁ; তেওঁৰ ৰাজবস্ত্ৰ চোলাৰ পাতলিয়ে
গোটেই মন্দিৰ জুৰি লৈছিল। ২ তেওঁৰ ওপৰত চিৰাফসকল থিয়
হৈ আছিল; তেওঁলোক প্ৰতিজনৰ ছয়খনকৈ ডেউকা আছিল; তাৰ
দুখনেৰে নিজৰ মুখ, দুখনেৰে নিজৰ চৰণ ঢাকে, আৰু দুখনেৰে উৰি
যায়। ৩ প্ৰতিজনে আন জনক মাতি ক'লে, "পবিত্ৰ, পবিত্ৰ, পবিত্ৰ,
বাহিনীসকলৰ যিহোৱা! সমগ্ৰ পৃথিৱী তেওঁৰ মহিমাৰে পৰিপূৰ্ণ।" ৪
আটাহ পাৰা সকলৰ মাতত দুৱাৰ আৰু প্ৰবেশস্থল কঁপিবলৈ ধৰিছে,
আৰু গৃহটি ধোঁৱাৰে পৰিপূৰ্ণ হৈছে। ৫ মই তেতিয়া কলোঁ, মোৰ সন্তাপ
হওক! কিয়নো মই দণ্ডপ্ৰাপ্ত হৈছোঁ, কাৰণ মই অশুচি ওঠৰ মানুহ, আৰু
মই অশুচি ওঁঠৰ মানুহৰ মাজত বাস কৰিছোঁ; কাৰণ মই নিজৰ চকুৰে
ৰজা, যিহোৱা, বাহিনীসকলৰ যিহোৱাক দেখিছোঁ। ৬ তাৰ পাছত সেই
চিৰাফসকলৰ মাজৰ এজনে যজ্ঞবেদিৰ পৰা চেপেনাৰে এটুকুৰা জ্বলি
থকা আঙঠা হাতত লৈ মোৰ ওচৰলৈ উড়ি আহিল। ৭ তেওঁ তাৰে মোৰ
মুখত স্পৰ্শ কৰি ক'লে, "চোৱা, ই তোমাৰ ওঁঠত স্পৰ্শ কৰিছে; তোমাৰ
অপৰাধ গুচোৱা হ'ল, আৰু তোমাৰ পাপ প্ৰায়শ্চিত্ত হ'ল।" ৮ মই প্ৰভুৰ
মাতে কোৱা শুনিলো, "মই কাক পঠিয়াম, আমাৰ কাৰণে কোন যাব?"
তেতিয়া মই ক'লো, "মই ইয়াত আছোঁ, মোক পঠাওক।" ৯ তেওঁ
মোক ক'লে, "যোৱা আৰু সেই লোকসকলক কোৱা, 'তোমালোক শুনা,
কিন্তু বুজি নোপোৱা; চোৱা, কিন্তু উপলব্ধি কৰিব নোৱাৰা। ১০ এই
লোকসকলৰ অন্তৰ অনুভুতিহীন কৰা, তেওঁলোকৰ কাণ কলা কৰা,
আৰু তেওঁলোকৰ চকু অন্ধ কৰা; সেয়ে তেওঁলোকে চকুৰে নেদেখিব,
কাণেৰে নুশুনিব, আৰু অন্তৰেৰে বুজি নাপাব, আৰু তেতিয়াহে পুনৰ
ঘুৰি আহিব, আৰু সুস্থ হ'ব।" ১১ তেতিয়া মই সুধিলোঁ, "হে প্ৰভু, কিমান
সময়?" তেওঁ উত্তৰ দিলে, যেতিয়ালৈকে নগৰবোৰ ধ্বংস হয়, এটাও
প্ৰাণী নাবাচে, আৰু ঘৰবোৰ মানুহ নোহোৱাকৈ উচ্ছন্ন নহ'ব, আৰু
দেশ জনশূন্য হোৱা জাবৰৰ দ্বৰে নহয়, ১২ যিহোৱাই যেতিয়ালৈকে

লোকসকলক বহু দূৰলৈ নপঠিয়াই, আৰু দেশ নিৰ্জনতাৰে পৰিত্যক্ত
নহ'ব। ১৩ যদিও তাত দহ ভাগৰ এভাগ লোক অৱশিষ্ট থাকিব,
তথাপি পুনৰায় তাক ধ্বংস কৰা হ'ব; যি দৰে এলা আৰু ওক গছ কটা
হ'য়, কিন্তু তাৰ গছৰ গুৰি অৱশিষ্ট থাকে, পবিত্ৰ বীজ তাৰ গছৰ গুৰিত
থাকি যায়।"

৭ উজ্জিয়াৰ নাতি যোথমৰ পুত্ৰ যিহূদাৰ আহজ ৰজাৰ ৰাজত্বৰ সময়ত,
অৰামৰ ৰচীন ৰজা আৰু ৰমলিয়াৰ পুত্ৰ ইস্ৰায়েলৰ পেকহ ৰজা, এই
দুজন ৰজাই যিৰূচালেমৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ আহিল; কিন্তু তাক
পৰাজয় কৰিব নোৱাৰিলে। ২ সেই সময়ত অৰামে ইফ্ৰয়িমৰ সৈতে
যোগ দিয়া কথা দায়ূদৰ বংশৰ লোকসকলক কোৱা হৈছিল; সেয়ে
বতাহত অৰন্যৰ গছ কঁপাৰ দৰে তেওঁৰ মন আৰু তেওঁৰ লোকসকলৰ
মন কঁপিছিল। ৩ তেতিয়া যিহোৱাই যিচয়াক ক'লে, "তুমি তোমাৰ পুত্ৰ
চাৰ-যাবূচৰ সৈতে ওপৰৰ পুখুৰীৰ নলাৰ শেষ অংশত, ধোবাৰ পথাৰৰ
ফাললৈ যোৱা পথত আহজক সাক্ষাত কৰিবৰ অৰ্থে ওলাই যোৱা।
৪ আৰু তেওঁক এই কথা ক'বা যে, 'সাৱধান হোৱা; নীৰৱে থাকা,
দুবিধ জ্বলি থকা কাঠলৈ অৰ্থাৎ ৰচীন আৰু অৰাম, আৰু ৰমলিয়াৰ পুত্ৰ
পেখাৰ ভয়ঙ্কৰ ক্ৰোধৰ পৰা ভয় নকৰিব। ৫ অৰাম, ইফ্ৰয়িম, আৰু
ৰমলিয়াৰ পুত্ৰই তোমাৰ বিৰুদ্ধে কুমন্ত্ৰণা কৰি কৈছে, ৬ "আহাঁ, আমি
যিহূদাক আক্ৰমণ কৰোঁ, তেওঁক আতঙ্কিত কৰোঁ, আৰু পৰাজয় কৰি
তাত টাবেলৰ পুত্ৰক আমাৰ ৰজা পাতো।" ৭ প্ৰভু যিহোৱাই কৈছে,
"এইটো স্থাপন নহ'ব, আৰু কৰা নহ'ব, ৮ কাৰণ অৰামৰ নেতৃত্বত
দম্মেচক আৰু দম্মেচকৰ নেতৃত্বত ৰচীন। পয়ষষ্ঠি বছৰৰ ভিতৰত
ইফ্ৰয়িম ভাগি ডোখৰ ডোখৰ হ'ব আৰু কোনো লোক নাথাকিব। ৯
আৰু ইফ্ৰয়িমৰ নেতৃত্বত চমৰীয়া, আৰু চমৰিয়াৰ নেতৃত্বত ৰমলিয়াৰ
পুত্ৰ তোমালোক যদি বিশ্বাসত দৃঢ় হৈ নাথাকা, তেন্তে তোমালোক
নিশ্চয় নিৰাপদে থাকিব নোৱাৰিবা"।'" ১০ যিহোৱাই পুনৰ আহজক
ক'লে, ১১ "তুমি তোমাৰ ঈশ্বৰ যিহোৱাৰ পৰা এটা চিন খোজা; অধ:
স্থান বা উৰ্দ্ধস্থানত তাক খোজা।" **(Sheol h7585)** ১২ কিন্তু আহজে ক'লে,
"মই নোখোজোঁ, অথবা মই যিহোৱাক পৰীক্ষাও নকৰোঁ।" ১৩ সেয়ে

যিচয়াই উত্তৰ দি ক'লে, "হে দায়ুদৰ বংশ শুনা, লোকসকলৰ ধৈৰ্যৰ
পৰীক্ষা যথেষ্ট হোৱা নাই নে! মোৰ ঈশ্বৰৰ ধৈৰ্যকো পৰীক্ষা কৰিবা
নে? ১৪ এই হেতুকে প্ৰভুৱে নিজেই তোমালোকক এটা চিন দিব:
চোৱা, যুৱতী কন্যা গৰ্ভৱতী হৈ এটি পুত্ৰ প্ৰসৱ কৰিব, আৰু তেওঁৰ
নাম ইম্মানুৱেল ৰখা হ'ব। ১৫ যেতিয়া তেওঁ বেয়াক অগ্ৰাহ্য, আৰু
ভালক গ্ৰহন কৰিবৰ জ্ঞান পাব, তেতিয়া তেওঁ দৈ আৰু মৌজোল খাব।
১৬ কিয়নো ল'ৰাটিয়ে বেয়াক অগ্ৰাহ্য আৰু ভালক গ্ৰহণ কৰিবলৈ
জনাৰ আগতেই, তুমি যি দেশৰ দুজন ৰজালৈ ভয় কৰিছা, সেই
দেশ পৰিত্যক্ত হ'ব। ১৭ যিহূদাৰ পৰা ইফ্ৰয়িম বিচ্ছেদ হোৱাৰ পৰা
যেনেকুৱা দিন কেতিয়াও হোৱা নাই, যিহোৱাই তোমালৈ আৰু তোমাৰ
লোকসকললৈ, আৰু তোমাৰ পিতৃ-বংশলৈ তেনেকুৱা দিন আনিব আৰু
তোমালোকৰ ওপৰত অচূৰৰ ৰজাক নিযুক্ত কৰিব।" ১৮ সেই সময়ত
যিহোৱাই মিচৰ দেশৰ দূৰৰ নদীৰ পৰা মাখিৰ বাবে, আৰু অচূৰ দেশৰ
পৰা মৌ-মাখিৰ বাবে সুহুৰি মাৰিব। ১৯ সেইবোৰ সকলো আহিব
আৰু সকলো সঙ্কীৰ্ণ ঠাইত, শিলৰ ফাটবোৰত, সকলো কাঁইটনিত,
আৰু সকলো চৰণীয়া পথাৰত বাস কৰিব। ২০ সেই সময়ত প্ৰভুৱে
ইফ্ৰাত নদীৰ সিপাৰত থকা ৰজা অচূৰীয়াৰ পৰা ভাড়া দি অনা খুৰেৰে
খুৰাব তেওঁ তোমালোকৰ মুৰৰ চুলি আৰু ভৰিৰ নোম খুৰাব, আৰু
তেওঁ ডাড়িও খুৰাব। ২১ সেই দিনা এজন মানুহে এজনী চেঁউৰী গৰু
আৰু দুজনী ভেৰা জীয়াই ৰাখিব, ২২ সিহঁতে দিয়া প্ৰচুৰ পৰিমানৰ
গাখীৰৰ পৰা তেওঁ দৈ খাব; কাৰণ দেশত অৱশিষ্ট থকা প্ৰতিজনে
দৈ আৰু মৌ খাব। ২৩ সেই সময়ত, যি ঠাইত হাজাৰ ৰূপ চেকলৰ
মূল্য, হাজাৰ দ্ৰাক্ষালতা আছিল, এতিয়া সেইবোৰ ঠাইত কাঁইটীয়া
বন আৰু কাঁইটীয়া গছৰ বাহিৰে একো নাই। ২৪ মানুহে তালৈ কাঁড়-
ধনু লৈ চিকাৰ কৰিবলৈ যাব; কাৰণ সমগ্ৰ দেশত কাঁইটীয়া বন আৰু
কাঁইটীয়া গছ হ'ব। ২৫ যিবোৰ পাহাৰ কোৰমাৰি খেতি কৰা হৈছিল,
তেওঁলোকে কাঁইটীয়া বন আৰু কাঁইট গছৰ ভয়ত তাৰ পৰা আঁতৰি
থাকিব; কিন্তু সেই ঠাই গৰু আৰু ছাগলীৰ চৰণীয়া ঠাই হ'ব।

৮ যিহোৱাই মোক ক'লে, "তুমি এখন ডাঙৰ ফলি লোৱা আৰু
তাত এইদৰে লিখা 'মহেৰচালল-হচ-বজ' ২ পুৰোহিত ঊৰিয়া আৰু
যিবেৰেখিয়াৰ পুত্ৰ জখৰিয়াক, মোৰ প্ৰমাণৰ বাবে বিশ্বাসী সাক্ষীস্বৰূপে
মাতিম।" ৩ মই ভাববাদিনীৰ ওচৰলৈ গ'লো, আৰু তেওঁ গৰ্ভৱতী
হৈ এটি পুত্ৰ প্ৰসৱ কৰিলে। তেতিয়া যিহোৱাই মোক ক'লে, "তেওঁক
'মহেৰচালল-হচ-বজ' বুলি মাতিবা। ৪ কাৰণ লৰাটিয়ে মোৰ মা, আৰু
মোৰ দেউতা, বুলি মাতিবলৈ জনাৰ পূৰ্বেই, দম্মেচকৰ ধন-সম্পত্তি
আৰু চমৰিয়াৰ লুটদ্ৰব্য ৰজা অচূৰৰ দ্বাৰাই কঢ়িয়াই নিয়া হ'ব।" ৫
যিহোৱাই মোক পুনৰ কৈছিল, ৬ কাৰণ এই লোকসকল চীলোহৰ
শীতল পানী অগ্ৰাহ্য কৰিছে, ৰচীন আৰু ৰমলিয়াৰ পুত্ৰৰ বিষয়ে আনন্দ
কৰিছে। ৭ এই কাৰণে প্ৰভুৱে নদীৰ প্ৰৱল আৰু প্ৰচুৰ জল সমূহ ৰজা
অচূৰীয়া আৰু তেওঁৰ সকলো প্ৰতাপৰ ওপৰলৈ আনিব; সি সকলো
সুঁতি পূৰ কৰিব, আৰু পাৰৰ ওপৰেদি বাগৰি যাব। ৮ আৰু সি বৈ
যিহূদা দেশত সোমাব; আৰু ডিঙি নোপোৱালৈকে প্লাবিত হৈ বৈ যাব।
হে ইম্মানূৱেল, তাৰ বিস্তাৰিত ডেউকাই তোমাৰ সমগ্ৰ দেশ ঢাকিব।
৯ হে লোকসকল, তোমালোক ডোখৰ ডোখৰ হ'বা। সকলো দূৰত
থকা দেশবোৰ শুনা, যুদ্ধৰ বাবে নিজকে সুসজ্জিত কৰা, আৰু ডোখৰ
ডোখৰকৈ ভঙা হ'বা। ১০ পৰিকল্পনা কৰা, কিন্তু সেয়ে বিফল হ'ব;
আদেশ দিয়া, কিন্তু সেয়াও বিফল হ'ব; কাৰণ ঈশ্বৰ আমাৰ লগত
আছে। ১১ যিহোৱা তেওঁৰ পৰাক্ৰমী হাত মোৰ ওপৰত ৰাখিছে, আৰু
এই লোকসকলৰ পথত গমন নকৰিবলৈ সাৱধান কৰি মোক ক'লে,
১২ এই লোকসকলে যি বিষয়ক ষড়যন্ত্ৰ বুলি কয়, তেনে কোনো বিষয়ক
ষড়যন্ত্ৰ বুলি নকবা, তেওঁলোকে যি ভয় কৰে, তুমি তালৈ ভয় নকৰিবা,
আৰু আতংকিত নহবা। ১৩ তোমালোকে বাহিনীসকলৰ যিহোৱাক
পবিত্ৰ বুলি সন্মান কৰিবা; তেওঁক ভয় কৰিবা, তেঁৱেই সেই জন যি
জনক তোমালোকে ভয় কৰা উচিত। ১৪ তেঁৱেই পবিত্ৰ স্থান হ'ব,
কিন্তু তেওঁ এটা ক্ষুদ্ৰ পদক্ষেপ দিয়া শিল আৰু উজুটি খোৱা শিল হ'ব,
যিৰূচালেম নিবাসী লোকৰ বাবে ইস্ৰায়েলৰ দুয়োটা বংশ ফান্দ আৰু
জালৰ দৰে হ'ব। ১৫ তেওঁলোকৰ মাজৰ অনেকে তাত উজুটি খাই

পৰি ভগ্ন হ'ব, আৰু ফান্দত পৰি ধৰা পৰিব। ১৬ মোৰ সাক্ষ্যৰ কথা
বান্ধি ৰাখা, কাৰ্যালয়ৰ নথি পত্ৰত মোহৰ মাৰি ৰাখা, আৰু ইয়াক মোৰ
শিষ্যসকলক দিয়া। ১৭ যি জনাই যাকোবৰ বংশৰ পৰা নিজৰ মুখ ঢাকি
ৰাখিছে, মই সেই যিহোৱালৈ বাট চাম, আৰু তেওঁ লৈ অপেক্ষা কৰিম।
১৮ চিয়োন পৰ্বতত থকা বাহিনীসকলৰ যিহোৱাৰ পৰা যিহোৱাই চিন
স্বৰূপে ইস্রায়েলৰ অদ্ভুত লক্ষ্যণৰ বাবে দিয়া পুত্ৰসকল আৰু মোক
চোৱা, ১৯ তেওঁলোকে তোমালোকক ক'ব, "যি সকলে গুণমন্ত্ৰ জানে
তেনে যাদুকৰ আৰু মধ্যস্থতাকাৰীৰ সৈতে আলোচনা কৰা" কিন্তু
লোকসকলে নিজৰ ঈশ্বৰক নুসুধিব নে? তেওঁলোকে জীৱিতসকলৰ হৈ
মৃতবোৰক সুধিব নে? ২০ সেয়ে তোমালোকে বিধান আৰু সাক্ষ্যলৈ
মনোযোগ দিয়া উচিত! যদি তেওঁলোকে এই বিষয়ে নকয়, তেনেহ'লে
ইয়াৰ কাৰণে তেওঁলোকলৈ পুৱাৰ পোহৰ নহ'ব। ২১ তেওঁলোক দুখিত
ও ক্ষুধিত হৈ দেশৰ মাজেদি যাব। তেওঁলোকৰ যেতিয়া ভোক লাগিব,
তেতিয়া তেওঁলোকৰ খং উঠিব; আৰু তেওঁলোকৰ মুখ ওপৰলৈ কৰি
নিজৰ ৰজা আৰু নিজৰ ঈশ্বৰক শাও দিব। ২২ তেওঁলোকে পৃথিৱীলৈ
চাব; আৰু সঙ্কট, আন্ধাৰ, আৰু দুখ যাতনা দেখিব। তেওঁলোকক
আন্ধকাৰৰ দেশলৈ নিয়া হ'ব।

**৯** যন্ত্ৰণাত থকা জনীৰ পৰা আন্ধাৰ দূৰ হ'ব, তেওঁ প্ৰথম অৱস্থাত
জবূলূন আৰু নপ্তালী দেশক অপদস্থ কৰিছিল, কিন্তু পৰবৰ্তী সময়ত
সমুদ্ৰলৈ যোৱা পথ, যৰ্দ্দনৰ সিপাৰে, গালীল দেশৰ লোকসকলক
গৌৰৱান্বিত কৰিব। ২ আন্ধাৰত ফুৰা সকলে মহাজ্যোতি দেখিলে;
মৃত্যু ছাঁয়াৰ দেশত বাস কৰা সকলৰ ওপৰত দীপ্তি প্ৰকাশিত হ'ল। ৩
তুমি সেই দেশৰ লোক বহু সংখ্যক কৰিলা, তুমি তেওঁলোকৰ আনন্দ
বৃদ্ধি কৰিলা; শস্য দোৱাৰ সময়ত আনন্দ কৰাৰ দৰে, আৰু লুটদ্ৰব্য
ভাগ-বাঁটি লোৱাত আনন্দ কৰা দৰে, তেওঁলোকে তোমাৰ সাক্ষাতে
আনন্দ কৰে। ৪ কাৰণ তুমি মিদিয়নৰ সময়ত কৰা দৰে, তেওঁৰ ভাৰ
স্বৰূপ যুৱলি, তেওঁৰ কান্ধৰ কানমাৰি, আৰু তেওঁৰ উপদ্ৰৱকাৰী দণ্ড
ভাঙি পেলালা। ৫ কাৰণ ঘোৰ যুদ্ধত সুসজ্জিত থকা সৈন্যৰ সকলো
প্ৰকাৰৰ সাজ, আৰু তেজেৰে লেটিপেটি হোৱা পোচাক, জুইৰ বাবে

ইন্ধনৰ দৰে পোৰা যাব। ৬ কাৰণ আমালৈ এটি লৰা জন্মিল, আমালৈ
এটি পুত্র দান কৰা হ'ল; আৰু তেওঁৰ কান্ধত শাসন ভাৰ অৰ্পিত হ'ব,
আৰু তেওঁ আশ্চৰ্য পৰামৰ্শদাতা, পৰাক্ৰমী ঈশ্বৰ, অনন্তকালস্থায়ী পিতৃ,
আৰু শান্তিৰাজ নামে প্ৰখ্যাত হ'ব। ৭ দায়ুদৰ সিংহাসন আৰু তেওঁৰ
ৰাজ্যৰ ওপৰত শাসন কৰোঁতে তাক সুস্থিৰ আৰু দৃঢ় কৰিবলৈ, এই
সময়ৰ পৰা চিৰকাললৈকে ন্যায় আৰু ধাৰ্মিকতাৰ সৈতে ৰাজ্যত তেওঁৰ
শাসন আৰু শান্তি বৃদ্ধি হৈ থাকিব। বাহিনীসকলৰ যিহোৱাৰ আগ্ৰহে
ইয়াক সিদ্ধ কৰিব। ৮ প্ৰভুৱে যাকোবৰ বিৰুদ্ধে এটি বাক্য পঠালে;
সেয়ে ইস্রায়েলৰ ওপৰত পৰিল, ৯ গৰ্ব্ব আৰু অহংকাৰী হৃদয়েৰে কথা
কোৱা জনক সকলো লোকে জানে, এনেকি ইফ্ৰয়িম আৰু চমৰিয়াৰ
লোকসকলেও জানে; ১০ “ইটাবোৰ খহি পৰিল, কিন্তু আমি কটা
শিলেৰে পুনৰ নিৰ্মাণ কৰিম; ডিমৰু গছবোৰ কটা হ'ল, কিন্তু আমি
তাৰ সলনি এৰচ কাঠ লগাম।” ১১ এই হেতুকে যিহোৱাই তেওঁৰ
বিৰুদ্ধে ৰচীন, আৰু তেওঁৰ বিৰোধী সকলক উন্নত কৰিব, আৰু তেওঁৰ
শত্ৰুবোৰক উত্তেজিত কৰিব। ১২ পূব দিশত অৰাম, আৰু পশ্চিম
দিশত পলেষ্টীয়াসকল, তেওঁলোকে মুখ মেলি ইস্রায়েলক গ্ৰাস কৰিব।
কাৰণ তেওঁলোকৰ ক্ৰোধ যিহোৱাই ক্ষান্ত নকৰিব; কিন্তু আঘাত
কৰিবলৈ তেওঁলোকৰ হাত উদ্যত হৈ থাকিব। ১৩ তথাপিও যিহোৱাই
যিসকল লোকক প্ৰহাৰ কৰিব সেই লোকসকল তেওঁলৈ নুঘুৰিব, নাইবা
তেওঁলোকে বাহিনীসকলৰ যিহোৱাক নিবিচাৰিব। ১৪ এই হেতুকে
যিহোৱাই একে দিনাই ইস্রায়েলৰ আৰম্ভণীৰ পৰা শেষলৈকে, খাজুৰ
পাত আৰু খাগৰি কাটি পেলাব। ১৫ মুখ্য আৰু সম্ভ্ৰান্ত লোকসকল
নেতৃত্বত থাকিব; আৰু মিছা শিক্ষা দিওঁতা ভাববাদীসকল শেষত
থাকিব। ১৬ নেতৃত দিয়া লোকসকলে তেওঁলোকক বিপথে নিয়ে,
আৰু তেওঁলোকৰ দ্বাৰাই চালিত হোৱা লোকসকল বিনষ্ট হ'ব। ১৭
প্ৰভুৱে সেই কাৰণে তেওঁলোকৰ যুবক সকলৰ ওপৰত আনন্দ নকৰিব,
আৰু তেওঁলোকৰ পিতৃহীন আৰু বিধবাসকলক দয়া নকৰিব; কিয়নো
তেওঁলোকৰ প্ৰত্যেক জনেই অধৰ্মি আৰু কুকৰ্মী, আৰু প্ৰত্যেকেই
জ্ঞানহীন কথা কয়। এই সকলোৰ বাবে তেওঁৰ ক্ৰোধ শান্ত নহ'ব;

কিন্তু তেওঁৰ হাত দণ্ড দিবলৈ উদ্যত হৈ থাকিব। ১৮ দুষ্টতা জুইৰ
দৰে পুৰিব, ই কাঁইটীয়া বননী আৰু কাঁইটীয়া হাবি গ্ৰাস কৰিব; এনে
কি, ই ঘন হাবিও পুৰিব, যাৰ ধোঁৱা স্তম্ভ হৈ ওপৰলৈ উঠিব। ১৯
বাহিনীসকলৰ যিহোৱাৰ ক্ৰোধত দেশ দগ্ধ হ'ল; আৰু লোকসকল
জুইৰ ইন্ধন স্বৰূপ হ'ল; কোনো লোকে নিজৰ ভায়েকক ক্ষমা নকৰিব।
২০ তেওঁলোকে সোঁ হাতেৰে মাংস টুকুৰা কৰিব, তথাপিও ভোকত
থাকিব; তেওঁলোকে বাঁও হাতেৰে মাংস ভোজন কৰিব, কিন্তু সন্তুষ্ট
নহ'ব; তেওঁলোক প্ৰতিজনে নিজৰ বাহুৰ মাংস খাব। ২১ মনচিয়ে
ইফ্ৰয়িমক, আৰু ইফ্ৰয়িমে মনচিক ধ্বংস কৰিব, আৰু দুয়ো একেলগে
যিহূদাক আক্ৰমণ কৰিব। এই সকলোৰ কাৰণে যিহোৱাৰ ক্ৰোধ শান্ত
নহ'ব; কিন্তু দণ্ড দিবৰ বাবে তেওঁৰ হাত উদ্যত হৈ থাকিব।

১০ অন্যায় বিধি স্থাপন কৰা সকল আৰু অসাধু আজ্ঞা লিখা সকলৰ
সন্তাপ হ'ব। ২ তেওঁলোকে অভাৱী লোকসকলৰ ন্যায় বিচাৰ বঞ্চিত
কৰে, আৰু মোৰ দৰিদ্ৰলোক সকলৰ স্বত্ব কাঢ়ি লয়, বিধৱা সকলক
লুট কৰে, আৰু পিতৃহীন সকলক তেওঁলোকৰ লুট কৰা বস্তু যেন কৰে!
৩ বিচাৰৰ দিনা দূৰৰ পৰা যেতিয়া বিনাশ আহিব তেতিয়া তোমালোকে
কি কৰিবা? তোমালোক কাৰ ওচৰলৈ সহায়ৰ বাবে দৌৰি যাবা,
আৰু তোমালোকৰ সম্পতি কোন ঠাইত এৰি যাবা? ৪ একোৱেই
অৱশিষ্ট নাথাকিব, আৰু তোমালোক বন্দীসকলৰ মাজত কুঁচিমুচি
হৈ বহি থাকিবা বা মৃতলোকৰ মাজত থাকিবা। এই সকলোৰ বাবে
যিহোৱাৰ ক্ৰোধ শান্ত নহ'ব; কিন্তু তেওঁৰ হাত তেতিয়াও উদ্যত হৈ
আছে। ৫ অচূৰৰ লোকসকলৰ সন্তাপ হওক, মোৰ ক্ৰোধৰ দণ্ডডাল,
যি দণ্ডডালেৰে মোৰ ক্ৰোধক মই পৰিচালনা কৰোঁ! ৬ মই তেওঁক
এখন অহংকাৰী দেশৰ বিৰুদ্ধে, আৰু মোৰ প্ৰচুৰ ক্ৰোধ সহ্য কৰা
লোকসকলৰ বিৰুদ্ধে পঠালোঁ। মই তেওঁক লুটদ্ৰব্য ল'বৰ বাবে লুট
কৰিবলৈ, আৰু বাটৰ বোকাৰ দৰে গচকিবলৈ আদেশ দিলোঁ। ৭
কিন্তু তেওঁ মনস্থ কৰা অথবা তেওঁ ভবাৰ দৰে এইটো নহয়। কিন্তু
তেওঁ বহুতো দেশ বিনষ্ট কৰি ত্যাগ কৰিবলৈ চিন্তা কৰে। ৮ কাৰণ
তেওঁ কৈছে, "মোৰ সকলো অধিপতি ৰজা নহয় নে? ৯ কলনো

জানো কৰ্কমীচৰ দৰে নহয় নে? হমাৎ অৰ্পদৰ দৰে নহয় নে?
চমৰিয়া জানো দম্মেচকৰ দৰে নহয় নে? ১০ যি ৰাজ্যবোৰৰ কটা-
প্ৰতিমাবোৰ যিৰূচালেম আৰু চমৰিয়াৰ মূৰ্ত্তিবোৰতকৈ উত্তম আছিল,
সেই মূৰ্ত্তিপূজক সকলৰ ৰাজ্যবোৰ মোৰ হাতেৰে পৰাজিত কৰিলোঁ।
১১ যিদৰে মই চমৰিয়া আৰু তেওঁৰ মূল্যহীন মূৰ্ত্তিবোৰক কৰিছিলোঁ,
সেই একেদৰে যিৰূচালেম আৰু তেওঁৰ প্ৰতিমাবোৰকো মই নকৰিম
নে?" ১২ যিহোৱাই যেতিয়া চিয়োন পৰ্ব্বত আৰু যিৰূচালেমত তেওঁৰ
কাৰ্য সমাপ্ত কৰিব, তেতিয়া তেওঁ ক'ব: "মই ৰজা অচুৰৰ গৰ্ব্বী অন্তৰৰ
কথা আৰু অহংকাৰী দৃষ্টিক দণ্ড দিম।" ১৩ কাৰণ তেওঁ কৈছে, "মোৰ
শক্তি আৰু জ্ঞানেৰে মই কাৰ্য কৰিলোঁ, মোৰ সহানুভূতি আছে; আৰু
মই লোকসকলৰ সীমা গুচালোঁ। মই তেওঁলোকৰ সঞ্চিত সম্পদ হৰণ
কৰিলোঁ, আৰু সিংহাসনত বহাসকলক মই বীৰ পুৰুষৰ দৰে তললৈ
নমালোঁ। ১৪ মোৰ হাতে পক্ষীৰ বাহ জব্দ কৰা দৰে দেশবাসীৰ ধন-
সম্পত্তি জব্দ কৰিম, এজনে পৰিত্যক্ত কণী গোটোৱাৰ দৰে, মই সমগ্ৰ
পৃথিৱী একত্ৰিত কৰিম। ডেউকা জোকাৰিবলৈ, বা মুখ মেলিবলৈ,
নাইবা চিঁচিঁয়াবলৈকো কোনো নাথাকিব।" ১৫ কুঠাৰখন ব্যৱহাৰ কৰা
জনৰ বিৰুদ্ধে জানো নিজৰ বিষয়ে গৰ্ব্ব কৰিব? কৰতখনে জানো
কাটোতা জনতকৈ নিজৰ প্ৰশংসা কৰিব? দণ্ডডাল ওপৰলৈ ডাঙি
ধৰা সকলৰ দৰে জানো কাঠৰ দণ্ডডালে কোনো ব্যক্তিক ডাঙি ধৰিব
পাৰিব। ১৬ এই হেতুকে বাহিনীসকলৰ যিহোৱাই সৰ্বোত্তম যুদ্ধাৰুৰ
মাজলৈ দুৰ্বলতা পঠিয়াব; আৰু তেওঁৰ মহিমা জ্বলি থকা জুইৰ দৰে
প্ৰজ্বলিত হ'ব। ১৭ যিহোৱাৰ জ্যোতি ইস্ৰায়েলৰ অগ্নিস্বৰূপ হ'ব, আৰু
তেওঁৰ পবিত্ৰ জনা অগ্নিশিখা হ'ব; সেই দিনতে তেওঁৰ কাঁইটীয়া
বন আৰু কাঁইটীয়া বননি জ্বলাই গ্ৰাস কৰিব। ১৮ যিহোৱাই তেওঁৰ
অৰণ্যৰ মহিমা আৰু ফলপ্ৰসু ভুমি, আত্মা আৰু শৰীৰ দুয়োকে গ্ৰাস
কৰিব; ৰোগী মানুহৰ জীৱন অপব্যয় হোৱাৰ দৰে ই পতিত হ'ব।
১৯ তেওঁৰ অৰণ্যৰ অৱশিষ্ট গছ ইমান তাকৰ হ'ব যে, সৰু লৰা-
ছোৱালীয়েও তাক গণনা কৰিব পাৰিব। ২০ সেই দিনা ইস্ৰায়েলৰ
অৱশিষ্ট লোক, যাকোবৰ বংশৰ ৰক্ষা পোৱা লোকসকলে, তেওঁলোকক

পৰাজিত কৰা সকলৰ ওপৰত আৰু নিৰ্ভৰ নকৰিব; কিন্তু বাস্তৱিকতে
ইস্রায়েলৰ পবিত্র ঈশ্বৰ যিহোৱাত, নিৰ্ভৰ কৰিব। ২১ যাকোবৰ
অৱশিষ্ট লোকসকল পৰাক্রমী ঈশ্বৰলৈ ঘুৰি আহিব। ২২ কাৰণ তোমাৰ
ইস্রায়েলী লোকসকল সমুদ্রতীৰৰ বালিৰ দৰে হ'লেও, তেওঁলোকৰ
কেৱল অৱশিষ্ট সকলহে ঘুৰি আহিব। প্রচুৰ ধাৰ্মিকতা দাবী কৰাৰ
দ্বাৰাই বিধানত ধ্বংস স্থিৰ কৰা হৈছে। ২৩ কাৰণ বাহিনীসকলৰ প্রভু
যিহোৱাই সমগ্র পৃথিৱীত ধ্বংস আনিবলৈ সিদ্ধান্ত লৈছে। ২৪ এই
হেতুকে বাহিনীসকলৰ প্রভু যিহোৱাই কৈছে, হে মোৰ চিয়োন-নিবাসী
লোকসকল, যদিও অচুৰে তোমালোকক দণ্ডৰে প্ৰহাৰ কৰিব, আৰু
মিচৰনিবাসী সকলে কৰাৰ দৰে তোমালোকৰ বিৰুদ্ধে লাখুটি দাঙিব,
তথাপি অচুৰলৈ ভয় নকৰিবা। ২৫ তেওঁলোকক ভয় নকৰিবা, কাৰণ
ক্ষন্তেক সময়ৰ পাছতেই তোমালোকৰ বিৰুদ্ধে থকা মোৰ ক্রোধৰ অন্ত
পৰিব, আৰু মোৰ ক্রোধ তেওঁৰ বিনাশলৈ গতি কৰিব। ২৬ ওৰেবৰ
শিলত যেতিয়া মিদিয়নক পৰাজিত কৰিব, তেতিয়া বাহিনী সকলৰ
যিহোৱাই তেওঁলোকৰ বিৰুদ্ধে চাবুক ব্যৱহাৰ কৰিব। তেওঁ সাগৰৰ
ওপৰত তেওঁৰ লাখুটি দাঙিব, আৰু তেওঁ মিচৰত দণ্ডাৰ দৰে তাক
দাঙিব। ২৭ সেই দিনা তোমালোকৰ কান্ধৰ পৰা তেওঁৰ বোজা আৰু
তোমাৰ ডিঙিৰ পৰা তেওঁৰ যুৱলি তোলা হ'ব, আৰু তোমালোকৰ
ডিঙি অধিক শকত হোৱাৰ কাৰণে যুৱলি ধ্বংস হ'ব। ২৮ শত্রুবোৰ
অয়ৎলৈ আহিল, আৰু মিগ্ৰোণৰ মাজেদি আহিল; তেওঁ মিকমচত তেওঁ
বিধান সংৰক্ষিত কৰিলে। ২৯ তেওঁলোকে ঠেক পথ অতিক্রম কৰিলে,
আৰু গেবাত অস্থায়ীভাৱে থাকিলে। ৰামা কঁপিছে, চৌলৰ গিবিয়া
পলাইছে। ৩০ হেগল্লীম জীয়াৰী, তুমি জোৰকৈ চিঞৰা! হে লয়িচা,
মনোযোগ দিয়া! হে দুৰ্ভগীয়া অনাথোত! ৩১ মদমেনা পলৰীয়া; গেবিম
নিবাসীসকল নিৰাপত্তাৰ কাৰণে দৌৰা। ৩২ এই বিশেষ দিনত তেওঁ
নোবত ৰ'ব; চিয়োন জীয়াৰীৰ পৰ্ব্বতত, যিৰূচালেমৰ পাহাৰত হাতৰ
মুঠি জোকাৰিব। ৩৩ চোৱা বাহিনী সকলৰ যিহোৱা প্রভুৱে ভয়ানক মৰ
মৰ শব্দেৰে ডাল কাটি পেলাব; ওখ গছবোৰ কাটি পেলোৱা হ'ব, আৰু

সূউচ্চবোৰক তল কৰা হ’ব। ৩৪ যিহোৱাই কুঠাৰেৰে ঘন অৰণ্য কাটি
পেলাব, আৰু তেওঁৰ মহত্বত লিবানোন পতিত হ’ব।

১১ যিচয়ৰ মূলৰ পৰা এটি পোখা ওলাব, আৰু মূলৰ পৰা এটা
শাখা ওলাই ফলৱান হ’ব। ২ যিহোৱাৰ আত্মা, প্ৰজ্ঞাৰ আত্মা, আৰু
সুবিবেচনা, পৰামৰ্শ, আৰু পৰাক্ৰমৰ আত্মা, জ্ঞান আৰু যিহোৱা বিষয়ক
ভয়ৰ আত্মা, তেওঁৰ ওপৰত স্থিতি ল’ব। ৩ যিহোৱাৰ ভয়ত তেওঁৰ
আনন্দ হ’ব, তেওঁৰ চকুৰে দেখাৰ দ্বাৰাই তেওঁ বিচাৰ নকৰিব, নাইবা
তেওঁৰ কাণে শুনাৰ দ্বাৰাই তেওঁ সিদ্ধান্ত নল’ব। ৪ তাৰপৰিৱৰ্তে তেওঁ
ধাৰ্মিকতাৰে দৰিদ্ৰসকলৰ বিচাৰ কৰিব, আৰু ন্যায়েৰে পৃথিৱীৰ নম্ৰ
লোকসকলৰ বাবে সিদ্ধান্ত ল’ব। তেওঁ নিজৰ মুখৰ শাসন দণ্ডৰে
পৃথীবীক প্ৰহাৰ কৰিব, আৰু নিজৰ ওঁঠৰ ফুৰে দুষ্টক সংহাৰ কৰিব। ৫
ধাৰ্মিকতা তেওঁৰ কঁকালৰ টঙালি হ’ব, আৰু বিশ্বস্ততা তেওঁৰ কটিবন্ধন
হ’ব। ৬ কুকুৰনেচীয়া বাঘ মেৰ-ছাগ পোৱালিৰ সৈতে বাস কৰিব, আৰু
নাহৰফুটুকী বাঘ ছাগলী পোৱালিৰ সৈতে শুব। দামুৰি আৰু যুবা সিংহ,
আৰু হৃষ্টপুষ্ট দামুৰি একেলগে থাকিব। এটি সৰু লৰাই সিহঁতক চলাব।
৭ গৰু আৰু ভালুকে একেলগে চৰিব, আৰু সিহঁতৰ পোৱালিবোৰ
একেলগে শুব, সিংহই ষাঁড় গৰুৰ দৰে ধান খেৰ খাব। ৮ কেঁচুৱাই সাপ
থকা গাতৰ ওপৰত খেলিব, আৰু পিয়াহ এৰা ল’ৰাই সৰ্প থকা গাতত
হাত দিব। ৯ মোৰ সমগ্ৰ পবিত্ৰ পৰ্ব্বতত সিহঁতে আঘাত বা ধ্বংস
নকৰিব; কাৰণ পানীয়ে যি দৰে সমুদ্ৰক ঢাকে, সেইদৰে যিহোৱাৰ
জ্ঞানে পৃথিৱী পৰিপূৰ্ণ কৰিব। ১০ সেইদিনা লোকসকলৰ বাবে যিচয়ৰ
মূল নিচানৰূপে থিয় হ’ব। দেশবাসীয়ে তেওঁক বিচাৰি উলিয়াব আৰু
তেওঁৰ বিশ্ৰামস্থান গৌৰৱান্বিত হ’ব। ১১ পথ্ৰোচ, কুচ, এলম, চিনাৰ,
হমাৎ, আৰু সমুদ্ৰৰ দ্বীপবোৰ, অচুৰ আৰু মিচৰীয়াৰ বাকী থকা অৱশিষ্ট
লোকসকলক উদ্ধাৰ কৰিবলৈ সেইদিনা প্ৰভুৱে তেওঁৰ হাত পুনৰ
আগবঢ়াব। ১২ তেওঁ দেশবাসীৰ বাবে এখন নিচান স্থাপন কৰিব, আৰু
ইস্ৰায়েলৰ দেশ ত্যাগ কৰাসকল, আৰু পৃথিৱীৰ চাৰিও চকুৰ পৰা খেদি
দিয়া যিহূদাৰ লোকসকলক তেওঁ একত্ৰিত কৰিব। ১৩ তেওঁ ইফ্ৰয়িমৰ
অসূয়া বন্ধ কৰিব, আৰু যিহূদাক অত্যাচাৰ কৰাসকলক উচ্ছন্ন কৰা

হ'ব; ইফ্রয়িমে যিহুদাক অসূয়া নকৰিব, আৰু যিহূদাই ইফ্রয়িমক
আৰু অত্যাচাৰ নকৰিব। ১৪ তথাপিও তেওঁলোকে পশ্চিম ফালে থকা
পলেষ্টীয়াসকলৰ পাহাৰবোৰ অৱৰোধ কৰিব; আৰু তেওঁলোক দুয়ো
একেলগে পূব দিশৰ লোকসকলক লুট কৰিব। তেওঁলোক ইদোম আৰু
মোৱাবক আক্ৰমণ কৰিব; আৰু অম্মোনৰ লোকসকল তেওঁলোকক
মানি চলিব। ১৫ যিহোৱাই মিচৰীয়াৰ সমুদ্ৰৰ উপসাগৰ বিভক্ত কৰিব।
তেওঁ ইফ্রাতাচ নদীৰ ওপৰত তপত বতাহ নিজৰ হাতেৰে বলাব, আৰু
সাতটা সুঁতিত বিভক্ত কৰিব, সেয়ে লোকসকল জোতা পিন্ধিহে পাৰ
হ'ব পাৰিব। ১৬ মিচৰ দেশৰ পৰা ওলাই অহা দিনা যি দৰে ইস্রায়েলৰ
বাবে এটি পথ হৈছিল, সেইদৰে অৱশিষ্ট থকা লোকসকলৰ বাবে
অচূৰৰ পৰা এটি ৰাজপথ হ'ব।

**১২** সেই দিনা তুমি ক'বা, "হে যিহোৱা, মই আপোনাৰ ধন্যবাদ
কৰিম; কাৰণ যদিও আপুনি মোৰ ওপৰত ক্ৰোধ আছিল, তথাপিও
আপোনাৰ ক্ৰোধ আঁতৰিল, আৰু আপুনি মোক শান্ত্বনা দিলে। ২ চোৱা,
ঈশ্বৰ মোৰ পৰিত্ৰাণকৰ্ত্তা, মই তেওঁত ভাৰসা কৰিম, আৰু ভয় নকৰিম;
কাৰণ যিহোৱা, হয়, যিহোৱাই মোৰ শক্তি আৰু মোৰ গান, তেওঁ
মোৰ পৰিত্ৰাণকৰ্ত্তা হ'ল।" ৩ পৰিত্ৰাণৰ নাদৰ পৰা তুমি আনন্দেৰে
সৈতে পানী তুলিবা। ৪ সেই দিনা তোমালোকে ক'বা, "যিহোৱাৰ
ধন্যবাদ কৰা, আৰু তেওঁৰ নাম লোৱা; লোকসকলৰ মাজত তেওঁৰ
কাৰ্যবোৰ প্ৰকাশ কৰা, তেওঁৰ নাম মহিমান্বিত বুলি ঘোষণা কৰা।
৫ যিহোৱাৰ উদ্দেশ্যে গান কৰা, কিয়নো তেওঁ মহৎ কাৰ্য কৰিলে;
সমগ্ৰ পৃথিৱীত এই সকলো জানিবলৈ দিয়া হওক। ৬ হে চিয়োন-
নিবাসীসকল তোমালোক উচ্চস্বৰেৰে আনন্দ-ধ্বনি কৰা; কিয়নো
ইস্রায়েলৰ পবিত্ৰ ঈশ্বৰ জনা তোমালোকৰ মাজত মহান।"

**১৩** আমোচৰ পুত্ৰ যিচয়াই পোৱা বাবিলৰ বিষয়ে ঘোষণা। ২
তোমালোকে গছ-গছনি নথকা পৰ্ব্বতৰ ওপৰত এখন সংকেত পতাকা
স্থাপন কৰা, আৰু তেওঁলোকলৈ উচ্চধ্বনি কৰা, প্ৰধান লোকৰ দুৱাৰলৈ
তেওঁলোক সোমায় যাবলৈ তোমাৰ হাত জোকাৰা। ৩ মই মোৰ
পবিত্ৰীকৃত লোকসকলক আদেশ দিলোঁ; হয়, মই মোৰ ক্ৰোধ কাৰ্যকাৰী

কৰিবলৈ মোৰ পৰাক্ৰমী লোক এনে কি, গৰ্ব্বেৰে উল্লাস কৰা সকলকো
মাতিলোঁ। ৪ বহু লোকৰ চিঞৰৰ দৰে পৰ্ব্বতবোৰত বহুসংখ্যক লোকৰ
শব্দ! বহু দেশ একলগ হৈ চিঞৰাৰ দৰে ৰাজ্যৰ প্ৰচণ্ড আলোড়ন!
বাহিনীসকলৰ যিহোৱাই যুদ্ধৰ বাবে সৈন্যসকলক একত্ৰিত কৰিছে।
৫ তেওঁলোকে দূৰ দিগন্ত দেশৰ পৰা, যিহোৱাৰ বিচাৰৰ অস্ত্ৰ-শস্ত্ৰৰ
সৈতে সমগ্ৰ দেশ ধ্বংস কৰিবলৈ আহিছে। ৬ যিহোৱাৰ সোধবিচাৰৰ
দিন অতি ওচৰ; সৰ্ব্বশক্তিমান জনাৰ পৰা সৰ্ব্বনাশ আহিছে। ৭ সেই
কাৰণে সকলো হাত দুৰ্ব্বল হ'ব, আৰু প্ৰত্যেক হৃদয় দ্ৰৱ হ'ব; ৮ প্ৰসৱ
কৰা মহিলাৰ দৰে তেওঁলোকে ভয় খাব, যন্ত্ৰণা পাব আৰু বেদনাই
তেওঁলোকক গ্ৰাস কৰিব। তেওঁলোক ইজনে সিজনক দেখি আচৰিত
হ'ব, তেওঁলোকৰ মুখ উজ্বলি উঠিব। ৯ চোৱা, দেশ উচ্ছন্ন কৰিবলৈ,
আৰু তাৰ পৰা পাপীবোৰক বিনষ্ট কৰিবলৈ, যিহোৱাৰ দিন খং আৰু
প্ৰচণ্ড ক্ৰোধেৰে আহিছে। ১০ আকাশ মণ্ডলৰ তৰা আৰু নক্ষত্ৰবোৰে
নিজৰ দীপ্তি প্ৰকাশ নকৰিব; পূৱাৰ পৰাই সূৰ্য আন্ধাৰেৰে আবৃত হ'ব,
আৰু চন্দ্ৰই দীপ্তি নিদিব। ১১ মই জগতখনক কুকাৰ্যৰ বাবে আৰু
দুষ্টবোৰক তেওঁলোকৰ অপৰাধৰ বাবে দণ্ড দিম, মই অহঙ্কাৰীবোৰৰ
দৰ্প শেষ কৰিম, আৰু কঠিন হৃদয়ৰ লোকসকলৰ অহংকাৰ নাশ
কৰিম। ১২ মই মানুহক শুদ্ধ সোণতকৈ, আৰু মনুষ্যক ওফীৰৰ শুদ্ধ
সোণতকৈয়ো দুৰ্ল্লভ কৰিম। ১৩ এই হেতুকে মই আকাশ মণ্ডলক
কঁপাম, আৰু বাহিনীসকলৰ যিহোৱাৰ ক্ৰোধত আৰু তেওঁৰ প্ৰচণ্ড খঙৰ
দিনত পৃথিৱী জোকাৰ খাই স্থানান্তৰিত হ'ব। ১৪ খেদা খোৱা হৰিণৰ
বা ৰখীয়া নথকা মেৰ-ছাগৰ দৰে তেওঁলোক প্ৰতিজনে নিজৰ দেশলৈ
পলাই যাব। ১৫ বিচাৰি পোৱা প্ৰতিজনকে হত্যা কৰা হ'ব, আৰু বন্দী
কৰা প্ৰতিজনকে তৰোৱালেৰে বধ কৰা হ'ব। ১৬ তেওঁলোকৰ চকুৰ
আগতে তেওঁলোকৰ কেঁচুৱাবোৰক দলিয়াই ডোখৰ ডোখৰ কৰিব,
তেওঁলোকৰ ঘৰবোৰ লুট কৰা হ'ব, আৰু তেওঁলোকৰ মহিলাসকলক
ধৰ্ষণ কৰা হ'ব। ১৭ চোৱা, ৰূপ গণ্য নকৰা, আৰু সোণতো সন্তুষ্ট
নোহোৱা লোকসকলক আক্ৰমণ কৰিবলৈ মই মাদিয়াসকলক উচটাম।
১৮ তেওঁলোকৰ ধনুকাঁড় ডেকাসকলক বিন্ধিব, তেওঁলোকে শিশুবোৰক

দয়া নকৰিব, আৰু সন্তান সকলক কৃপাদৃষ্টি নকৰিব। ১৯ আৰু বাবিল, যি
ৰাজ্যবোৰৰ প্ৰশংসিত, যাৰ ঐশ্বৰ্যত কলদীয়াই অহংকাৰ কৰে, ঈশ্বৰে
নিপাত কৰা চদোম আৰু ঘমোৰাৰ দৰে হ'ব। ২০ সেয়ে ই কেতিয়াও
নিবাসস্থান নহ'ব, আৰু পুৰুষে পুৰুষে কোনেও তাত বাস নকৰিব।
আৰবী লোকসকলেও তাত তম্বু নতৰিব, বা ভেৰা-ৰখীয়াসকলেও সেই
ঠাইত নিজৰ জাকক নুশুৱাব। ২১ কিন্তু মৰুভূমিৰ বনৰীয়া জন্তুৰে
তাত বাস কৰিব; তেওঁলোকৰ ঘৰবোৰ ফেঁচাৰে পৰিপূৰ্ণ হ'ব, আৰু
সেই ঠাইত উট পক্ষীয়ে আৰু বনৰীয়া ছাগলীবোৰে জপিয়াব। ২২
তেওঁলোকৰ দুৰ্গবোৰত ৰাংকুকুৰ, আৰু মনোহৰ অট্টালিকাবোৰত
শিয়ালে চিঞৰিব। তেওঁৰ সময় ওচৰ চাপিছে, আৰু তেওঁৰ দিনবোৰ
বিলম্ব নকৰিব।

**১৪** যিহোৱাই যাকোবক দয়া কৰিব; ইস্ৰায়েলক পুনৰায় মনোনীত
কৰিব, আৰু তেওঁলোকৰ নিজৰ দেশত তেওঁলোকক স্থাপন কৰিব।
বিদেশীসকলে তেওঁলোকৰ সৈতে যোগ দিব আৰু তেওঁলোকে নিজেই
যাকোবৰ বংশত সংযুক্ত হ'ব। ২ আৰু দেশবাসীয়ে তেওঁলোকক
লৈ গৈ তেওঁলোকৰ নিজৰ ঠাইত থ'ব। তাৰ পাছত ইস্ৰায়েল বংশৰ
লোকসকলে তেওঁলোকক যিহোৱাৰ দেশলৈ দাস দাসীৰ দৰে লৈ
যাব। তেওঁলোকক বন্দী কৰা লোকসকলক তেওঁলোকে বন্দী কৰিব,
আৰু তেওঁলোকক উপদ্ৰৱ কৰা লোকসকলৰ ওপৰত তেওঁলোকে
শাসন কৰিব। ৩ সেই দিনা দুখ, কষ্ট, আৰু কঠিন বন্দীত্বত থাকি
কাম কৰিবলৈ বাধ্য হোৱাৰ পৰা যিহোৱাই তোমালোকক জিৰণী
দিব। ৪ তোমালোকে বাবিলৰ ৰজাৰ বিৰুদ্ধে বিদ্ৰূপৰ গীত গাবা,
উপদ্ৰৱ কৰা সকলৰ কেনেকৈ অন্ত হ'ল, গৰ্ব্বেৰে কৰা উত্তেজনাৰ
অন্ত হ'ল! ৫ যিহোৱাই দুষ্টবোৰৰ লাঠি, আৰু সেই শাসনকৰ্তা সকলৰ
ৰাজদণ্ড ভাঙিব, ৬ যাৰ দ্বাৰাই অবিৰাম ভাৱে ভুকুৱাত ক্ৰোধেৰে
লোকসকল প্ৰভাৱিত হৈছিল, দেশবাসীসকলক খঙেৰে আক্ৰমন কৰি
শাসন কৰাত অনিয়ন্ত্ৰিত হৈছিল। ৭ সমস্ত পৃথিৱী শান্ত আৰু সুস্থিৰ হৈ
আছে; তেওঁলোকে গীতেৰে সৈতে উৎসৱ পালন কৰিছে; ৮ এনে
কি, দেবদাৰু আৰু লিবানোনৰ এৰচ গছবোৰেও আনন্দ কৰিছে,

সিহঁতে কৈছে, 'তুমি পতিত হোৱাৰ পৰা আমাক কাটিবলৈ কোনো
খৰিকটীয়া আহা নাই।' ৯ তুমি যেতিয়া সেই ঠাইলৈ গৈছিলা, তেতিয়া
তোমাক সাক্ষাৎ কৰিবলৈ চিয়োল অধঃস্থানৰ পৰা উৎসুক হৈছে;
পৃথিৱীৰ সকলো ৰজাসকল আৰু মৃতবোৰ তোমাৰ বাবে উঠিছে,
দেশবোৰৰ সকলো ৰজাক নিজৰ সিংহাসনৰ পৰা উঠাইছে। (Sheol
h7585) ১০ তেওঁলোক সকলোৱে তোমাৰ সৈতে কথা পাতি ক'ব,
'তুমিও আমাৰ দৰে দুৰ্ব্বল হৈছা, তুমি আমাৰ দৰেই হৈছা। ১১
তোমাৰ আড়ম্বৰ আৰু তোমাৰ নেবল যন্ত্ৰৰ বাদ্য চিয়োললৈ নমোৱা
হ'ল, তোমাৰ চাৰিওফালে পোকবোৰ সিঁচৰিত হ'ল, আৰু কেঁচুবোৰে
তোমাক ঢাকিলে।' (Sheol h7585) ১২ তুমি আকাশ মণ্ডল, নক্ষত্ৰ,
আৰু প্ৰভাতীয় তৰাৰ পৰা কেনেকৈ পৰিলা! দেশবোৰক জয় কৰা
জন যি তুমি বিছিন্ন হৈ মাটিত কেনেকৈ পৰিলা! ১৩ তুমি তোমাৰ
মনতে কৈছিলা, 'মই স্বৰ্গলৈ উঠিম, ঈশ্বৰৰ তৰাবোৰৰ ওপৰত মই
মোৰ সিংহাসন উন্নত কৰিম; আৰু মই উত্তৰ দিশৰ অন্তভাগত সভা
বহা পাহাৰত বহিম। ১৪ মই মেঘবোৰতকৈয়ো ওখ ঠাইত উঠিম;
মই নিজকে সৰ্ব্বোপৰি জনাৰ তুল্য কৰিম।' ১৫ তথাপি তোমাক
এতিয়া চিয়োলৰ গাতৰ অন্তভাগলৈকে নমোৱা হ'ল। (Sheol h7585) ১৬
তোমালৈ স্থিৰ হৈ দৃষ্টি কৰা সকল তোমাৰ বিষয়ে বিবেচনা কৰিব,
তেওঁলোকে ক'ব, 'পৃথিৱীখন কঁপোৱা, আৰু ৰাজ্যবোৰক জোকাৰা
মানুহ জন সেই জনেই নে?' ১৭ পৃথিৱীখনক মৰুপ্ৰান্ত স্বৰূপ কৰা,
নগৰবোৰ উচ্ছন্ন কৰা, আৰু বন্দীসকলক ঘৰলৈ যাবলৈ নিদিয়া জন
সেই জনেই নে? ১৮ দেশবোৰৰ সকলো ৰজা, তেওঁলোকৰ সকলোৱে
নিজৰ মৈদামত সন্মানেৰে শুইছে। ১৯ কিন্তু ডালবোৰ কাটি পেলোৱাৰ
দৰে তোমাক মৈদামৰ পৰা নিক্ষেপ কৰা হৈছে, শিলৰ গাতলৈ নিয়া
আৰু তৰোৱালেৰে খোচা মৃতলোকে বস্ত্ৰৰ দৰে তোমাক ঢাকি ধৰিছে।
২০ মৃত দেহ গচকাৰ দৰে, তুমি তেওঁলোকৰ সৈতে কেতিয়াও মৈদামত
যোগ দিয়া নহ'বা; কাৰণ তুমি তোমাৰ দেশ ধ্বংস কৰিলা, নিজৰ
লোকসকলক বধ কৰা জন তুমিয়ে; অন্যায়কাৰী সকলৰ পুত্ৰৰ নাম
পুনৰ উল্লেখ কৰা নহ'ব। ২১ তেওঁলোকৰ পূৰ্বপুৰুষসকলৰ অপৰাধৰ

বাবে, তেওঁলোকৰ সন্তান সকলক বধ কৰিবলৈ প্ৰস্তুত হোৱা, সেয়ে
তেওঁলোকে উঠি নাহিব, আৰু পৃথিৱীখন অধিকাৰ কৰিছে, আৰু সমগ্ৰ
পৃথিৱীত নগৰেৰে পৰিপূৰ্ণ হৈছে। ২২ বাহিনীসকলৰ যিহোৱাই কৈছে,
“মই তেওঁলোকৰ বিৰুদ্ধে উঠিম” বাবিলৰ নাম, বংশধৰ, আৰু ভাবী
বংশ উছন্ন কৰিম” এইয়ে যিহোৱাৰ ঘোষণা। ২৩ মই তেওঁক ফেঁচাৰ
বাসস্থানলৈ, আৰু পুখুৰীৰ পানীলৈ লৈ যাম, আৰু মই তেওঁক সৰ্বনাশৰ
বাঢ়নিৰে সাৰি পেলাম” বাহিনীসকলৰ যিহোৱাই এই কথা কৈছে,
২৪ বাহিনীসকলৰ যিহোৱাই শপত কৰি কৈছে, “নিশ্চয়ে, মই সঙ্কল্প
কৰাৰ দৰে, এইটো মোলৈ ঘটিব; আৰু মই অভিপ্ৰায় কৰাৰ দৰে সেয়ে
হ’ব; ২৫ মই মোৰ দেশত অচুৰক ভাঙিম, আৰু মোৰ পৰ্বতৰ ওপৰত
ভৰিৰে গচকিম। তেতিয়া তেওঁলোকৰ পৰা তেওঁৰ যুঁৱলী আঁতৰাব
আৰু তেওঁলোকৰ কান্ধৰ পৰা তেওঁৰ ভাৰ দূৰ কৰা হ’ব।” ২৬ সমগ্ৰ
পৃথিৱী বাবে স্থিৰ কৰা অভিপ্ৰায় এয়ে, আৰু সকলো দেশৰ ওপৰত
উঠা হাত এয়ে। ২৭ কাৰণ বাহিনীসকলৰ যিহোৱাই এয়ে পৰিকল্পনা
কৰিলে; তেওঁক কোনে বাধা দিব পাৰে? তেওঁৰ হাত দাঙিব; আৰু
কোনে তাক তললৈ কৰিব পাৰিব? ২৮ ৰজা আহজৰ মৃত্যু হোৱাৰ
বছৰত এই ঘোষণা হৈছিল। ২৯ হে পলেষ্টিয়া, তোমালোকক প্ৰহাৰ
কৰা দণ্ডডাল ভগা দেখি তোমালোকে আনন্দ নকৰিবা। কাৰণ সাপৰ
গাতৰ পৰা এটা বিষাক্ত সাপ বাহিৰ ওলাব, আৰু তাৰ পোৱালিবোৰ
অগ্নিসদৃশ উৰণীয়া সাপ হ’ব। ৩০ দৰিদ্ৰসকলৰ প্ৰথমে জন্মাই খাব,
আৰু অভাবগ্ৰস্ত সকলে সুৰক্ষাৰ বাবে শুই পৰিব। আকালৰ দ্বাৰাই
মই তোমাৰ মূল নষ্ট কৰিম, আৰু তোমাৰ অৱশিষ্ট ভাগক বধ কৰা
হ’ব। ৩১ হে পলেষ্টিয়াৰ দুৱাৰ গৰ্জন কৰা, আৰু হে নগৰ ক্ৰন্দন
কৰা, তুমি দ্ৰৱ হৈ শেষ হৈ যাবা। কাৰণ উত্তৰ দিশৰ পৰা ধুঁৱাৰ দৰে
ডাৱৰ আহিব, আৰু তেওঁৰ শ্ৰেণীত এজনো পথভ্ৰষ্ট নাথাকিব। ৩২
তেনেহলে দেশৰ বাৰ্ত্তাবহক সকলক কেনেকৈ উত্তৰ দিব? সেয়ে
যিহোৱাই চিয়োনক সংস্থাপন কৰিলে, আৰু তেওঁৰ লোকসকলৰ
নিপীড়িতসকলক আশ্ৰয়স্থান বিচাৰি দিব।

**১৫** মোৱাবৰ বিষয়ে ঘোষণা। বাস্তৱিক একে ৰাতিতে আৰ-মোৱাব
উচ্ছন্ন আৰু ধ্বংস হ’ল; বাস্তৱিকতে একে নিশাতে কীৰ-মোৱাব উচ্ছন্ন
আৰু ধ্বংস হ’ল। ২ তেওঁলোক মন্দিৰৰ ওপৰলৈ গ’ল, আৰু দীবোনৰ
লোকসকল কান্দিবলৈ ওখ স্থানলৈ গ’ল; নবো আৰু মেদবাৰ ওপৰত
মোৱাবে বিলাপ কৰিছে; সকলোৰে মুৰ টকলা কৰা হৈছে, আৰু
প্ৰতিজনৰ ডাড়ি কটা হৈছে। ৩ তেওঁলোকৰ পথত তেওঁলোকে চট
কাপোৰ পিন্ধিছে; আৰু কঁকাল বান্ধিছে; আৰু প্ৰতিজনে চকবোৰত
চকু পানী বোৱাই কান্দিছে। ৪ হিচবোন আৰু ইলিয়ালিয়ে চিঞৰিছে,
তেওঁলোকৰ শব্দ যহচৰলৈকে শুনা গৈছে। সেয়ে মোৱাবৰ অস্ত্ৰধাৰী
লোকসকল আৰ্তনাদ কৰিছে; আৰু তেওঁলোকৰ আত্মাই কঁপিছে।
৫ মোৰ হৃদয়ে মোৱাবৰ বাবে কান্দিছে, তাৰ প্ৰধান লোকসকলে
চোৰৰলৈ ইগ্লৎ-চলিচিয়ালৈ পলাই গৈছে। তেওঁলোকে লুহীতলৈ উঠি
যোৱা বাটেদি কান্দি কান্দি উঠি গৈছে; তেওঁলোকে হোৰোণয়িমলৈ
যোৱাৰ বাটত তেওঁলোকৰ বিনাশৰ কাৰণে উচ্চস্বৰে বিলাপ কৰিছে।
৬ কাৰণ নিম্ৰীময়ৰ পানীসমূহ শুকাই গৈছে; ঘাঁহবোৰ শুকাই গৈছে,
নতুন ঘাঁহও শুকাই গৈছে, সেউজীয়া একোৱেই নাই। ৭ তেওঁলোকে
যথেষ্ট ধন বৃদ্ধি কৰিলে, আৰু গোটালে তেওঁলোকে ঝাও গছৰ জুৰিৰ
কাষলৈ লৈ গ’ল। ৮ সেই ক্ৰন্দন মোৱাবৰ সীমাৰ চাৰিওফালে, আৰু
তাৰ বিলাপ এগালীমৰ পৰা বেৰ-এলীমমলৈকে শুনা গৈছে। ৯ কিয়নো
দীমোনৰ পানী তেজেৰে পৰিপূৰ্ণ; কিন্তু মই দীমোনলৈ আৰু বেছি দুখ
আনিম। মোৱাবৰ পৰা ৰক্ষা পোৱা লোকসকল, আৰু দেশৰ অৱশিষ্ট
থকা লোকসকলক এটা সিংহই আক্ৰমণ কৰিব।

**১৬** মৰুপ্ৰান্তৰ চেলাৰ পৰা চিয়োন-জীয়াৰীৰ পৰ্ব্বতলৈ দেশৰ
শাসনকৰ্ত্তাৰ ওচৰলৈ মেৰ-ছাগ পোৱালিবোৰ পঠাই দিয়া। ২ ভ্ৰমি ফুৰা
চৰাই আৰু সিঁচৰিত হৈ থকা বাহঁৰ দৰে, মোৱাবৰ মহিলাসকল অৰ্ণোন
নদীৰ পাৰত আছে। ৩ “পৰামৰ্শ দিয়া, ন্যায় বিচাৰ কৰা, দুপৰীয়া
ৰাতি হোৱাৰ দৰে ছাঁ প্ৰদান কৰা; পলাতক লোকসকলক লুকুৱাই
ৰাখা, আৰু তেওঁলোকক বিশ্বাসঘাত নকৰিবা। ৪ মোৱাবৰ পৰা অহা
শৰণাৰ্থী সকলক তোমালোকৰ লগত বাস কৰিবলৈ দিয়া; বিনাশৰ

পৰা ৰক্ষা পাবলৈ তেওঁলোকৰ বাবে লুকাই থকা ঠাই হোৱা।" কিয়নো
অত্যাচৰ, আৰু ধ্বংস বন্ধ কৰা হ'ব; অপমান কৰা সকল দেশৰ পৰা
অদৃশ্য হ'ব। ৫ বিশ্বাসযোগ্য নিয়মেৰে এখন সিংহাসন স্থাপিত হ'ব,
আৰু দায়ূদৰ তম্বুৰ পৰা এজন বিশ্বাসী তাত বহিব। তেওঁ ন্যায় বিচাৰ
বিচৰা দৰে তেওঁ বিচাৰ কৰিব, আৰু ধাৰ্মিকতাৰে কাৰ্য কৰিব। ৬
আমি মোৱাবৰ অহংকাৰ, আৰু তেওঁৰ গৰ্বৰ কথা শুনিলোঁ, তেওঁৰ
আত্মগৌৰৱ, আৰু তেওঁৰ ক্ৰোধৰ বিষয়েও শুনিলো; কিন্তু তেওঁৰ
আত্মগৌৰৱ মূল্যহীন। ৭ সেয়ে মোৱাবৰ বাবে মোৱাব প্ৰতিজনে বিলাপ
কৰিছে; আৰু সম্পূৰ্ণভাৱে ধ্বংস হৈ যোৱা কীৰ-হেৰচতৰ বাবে বিলাপ
আৰু শোক কৰিছে। ৮ হিচবোনৰ পথাৰবোৰ আৰু চিবমাৰ দ্ৰাক্ষালতা
শুকাই গ'ল। দেশৰবোৰৰ শাসনকৰ্ত্তাসকলে উত্তম দ্ৰাক্ষাগুটি গচকিব,
সেইবোৰে যাজেৰ গৈ পাইছিল; আৰু মৰুভুমিত বিয়পি পৰিছিল। ইয়াৰ
পোখাবোৰ বিদেশলৈকে বিস্তাৰিত হৈছে; সেইবোৰ সাগৰৰ ওপৰেৰে
গৈছে। ৯ বাস্তৱিকতে মই চিবমাৰ দ্ৰাক্ষাবাৰীৰ কাৰণে যাজেৰৰ সৈতে
কান্দিম। হে হিচবোন, আৰু ইলিয়ালি, মই মোৰ চকুলোৰে পানী
দিম; তোমাৰ পথাৰৰ গ্ৰীষ্মকালৰ ফল আৰু শস্য দোৱাৰ কাৰণে মই
আনন্দৰ উচ্চধ্বনি সমাপ্ত কৰিম। ১০ আনন্দ আৰু উল্লাস ফলৱান
বাৰীৰ পৰা দূৰ কৰা হ'ব; আৰু তোমাৰ দ্ৰাক্ষাবাৰীবোৰত গান বা
আনন্দ ধ্বনি আৰু নহ'ব; দ্ৰাক্ষাকুণ্ডত গচকি দ্ৰাক্ষাৰস উলিয়াবলৈ
কোনো গচকা লোক নাথাকিব; মই দ্ৰাক্ষাবাৰীৰ গচকা আনন্দ ধ্বনি
থমালোঁ। ১১ সেয়ে মোৰ হৃদয়ৰ শ্বাসনিশ্বাস মোৱাবৰ বাবে আৰু মোৰ
অন্তৰৰ ভাগবোৰ কীৰ-হেৰচতৰ বাবে এখন বীণাৰ দৰে বাজিছে।
১২ যেতিয়া মোৱাবে ওখ স্থানত নিজকে পৰিধান কৰিব, আৰু প্ৰাৰ্থনা
কৰিবলৈ তেওঁৰ মন্দিৰত সোমাব, তেতিয়া তেওঁৰ প্ৰাৰ্থনা কৃতকাৰ্য
নহ'ব। ১৩ এয়ে যিহোৱাই মোৱাবৰ বিষয়ে পূৰ্বতে কোৱা বাক্য; ১৪
পুনৰ যিহোৱাই কৈছে, "তিনি বছৰৰ ভিতৰত মোৱাবৰ গৌৰৱ দূৰ
কৰা হ'ব; তেওঁৰ অনেক লোকৰ ওপৰিও, তেওঁৰ অৱশিষ্ট ভাগ অতি
ক্ষুদ্ৰ আৰু নগণ্য হ'ব।

১৭ দম্মেচক বিষয়ক ভাৰবাক্য। চোৱা, দম্মেচক আৰু নগৰ হৈ
নাথাকিব; ই ধ্বংসৰ স্তূপ হ'ব। ২ অৰোয়েৰৰ নগৰবোৰ পৰিত্যক্ত হ'ব;
সেইবোৰ মেৰ-ছাগৰ জাকৰ বাবে শোৱা ঠাই হ'ব; আৰু কোনোৱে
সিহঁতক ভয় নকৰিব। ৩ ইফ্ৰয়িমৰ পৰা শক্তিশালী নগৰবোৰ,
দম্মেচকৰ পৰা ৰাজ্য, আৰু বাহিনীসকলৰ যিহোৱাই কৈছে, অৰামৰ
অৱশিষ্ট ভাগ ইস্ৰায়েলৰ সন্তান সকলৰ গৌৰৱৰ সদৃশ হ'ব। ৪ সেই
দিনা এই দৰে হ'ব যাকোবৰ গৌৰৱ অতি দুৰ্ব্বল হ'ব, আৰু তাৰ হৃষ্টপুষ্ট
শৰীৰ ক্ষীণ হ'ব। ৫ যি দৰে ধান দাওঁতে থিয় হৈ থকা শস্য গোটাই আৰু
তেওঁৰ হাতেৰে থোকবোৰ কাটে, বা কোনোৱে ৰফায়ীম উপত্যকাত
শস্যৰ থোকবোৰ সংগ্ৰহ কৰাৰ দৰে হ'ব। ৬ তথাপি, ইস্ৰায়েলৰ ঈশ্বৰ
যিহোৱাই কৈছে, “যেতিয়া জিত গছ জোকৰা হয়, তেতিয়া অতি ওখ
ডালত দুটা বা তিনিটা জলফাই ফল থাকে, বা এজোপা ফলৱতী গছৰ
অতি ওখ ডালবোৰত চাৰিটা বা পাঁচটা ফল থাকে,” সেই দৰে তাত
অৱশিষ্ট থাকিব। ৭ সেইদিনা মানুহে নিজৰ সৃষ্টিকৰ্ত্তালৈ মনযোগ
দিব, আৰু তেওঁলোকৰ চকুৱে ইস্ৰায়েলৰ পবিত্ৰ ঈশ্বৰ জনালৈ দৃষ্টি
কৰিব। ৮ তেওঁলোকে নিজৰ হাতেৰে তৈয়াৰ কৰা যজ্ঞ-বেদীলৈ
চকু নিদিব, নাইবা তেওঁলোকৰ আঙুলিৰে সজা আচেৰা মুৰ্ত্তিবোৰ
বা সূৰ্য প্ৰতিমাবোৰলৈ দৃষ্টি নকৰিব। ৯ সেই দিনা তেওঁলোকৰ দৃঢ়
নগৰবোৰ, পৰ্ব্বতৰ টিঙত থকা এঢলীয়া পৰিত্যক্ত কাঠনিৰ দৰে হ'ব,
আৰু ইস্ৰায়েলী লোকসকলকৰ বাবে সেইবোৰ পৰিত্যাগ কৰা হৈছে,
আৰু সেইবোৰ জনশূন্যতালৈ পৰিণত হ'ব। ১০ কাৰণ তোমালোকে
তোমালোকৰ পৰিত্ৰাণকৰ্ত্তা ঈশ্বৰক পাহৰিলা, আৰু তোমালোকৰ
বলস্বৰূপ শিলালৈ অৱহেলা কৰিলা; সেয়ে তোমালোক আনন্দদায়ক
পুলিবোৰ ৰোপন কৰা, আৰু অদ্ভুত শেলুৱইবোৰ আঁতৰোৱা; ১১ সেই
দিনা তোমালোক পুলি ৰুবা, বেৰা দিবা আৰু খেতি কৰিবা। অতি
সোনকালে তোমালোকৰ বীজ গজি উঠিব; কিন্তু দুৰ্দশা আৰু প্ৰচণ্ড
দুঃখৰ দিনা শষ্য গোটোৱা বিফল হ'বা। ১২ সমুদ্ৰৰ গৰ্জ্জনৰ দৰে
গৰ্জ্জন কৰা অনেক লোক সমূহৰ কোলাহল! আৰু তীব্ৰবেগেৰে যোৱা
প্ৰৱল পানীৰ শব্দৰ দৰে দেশবাসীৰ বেগেৰে যোৱা শব্দ! ১৩ অনেক

পানী বেগেৰে বৈ যোৱা শব্দৰ দৰে, দেশবাসীসকলে গৰ্জন কৰিব;
কিন্তু প্ৰভুৱে তেওঁলোকক তিৰস্কাৰ কৰিব; তাতে তেওঁলোক বহু
দূৰলৈ পলাই যাব, আৰু বতাহৰ আগত পৰ্ব্বতৰ ওপৰত বিধৰালোকে
পিন্ধা কাপোৰৰ দৰে, আৰু বতাহৰ আগত ঘূৰি ঘূৰি যোৱা ধুলিৰ
দৰে তেওঁলোকক খেদি দিয়া হ'ব। ১৪ চোৱা, সন্ধ্যাপৰত ত্ৰাস হ'ব;
আৰু ৰাতিপুৱা নহওঁতেই তেওঁলোক গুচি যাব। এয়ে আমাক লুট
কৰাসকলৰ অংশ, আৰু এয়ে আমাক অপহৰণ কৰাসকলৰ ভাগ।

**১৮** হাঁয় হাঁয়, ইথপিয়া নদীৰ সিপাৰে থকা পখীৰ মৰ্মৰধ্বনি হোৱা
দেশ, ২ ৰাজদূতসকলক নলখাগড়িৰ জাহাজত সমূদ্ৰৰ বাটেদি পঠোৱা
জন, যি দেশৰ লোকসকল বলিষ্ঠ আৰু ধুনীয়া, যি সকল আদিৰ পৰা
এতিয়ালৈকে ভয়ানক, যি সকলৰ দেশ নদীবোৰেৰে বিভক্ত, সেই
দেশলৈ বেগী দূতবোৰ যোৱা। ৩ হে পৃথিৱী নিবাসী, আৰু হে পৃথিৱীত
থকা লোকসকল, যেতিয়া পৰ্ব্বতবোৰৰ ওপৰত নিচান তোলা হ'ব,
তেতিয়া চাবা, আৰু যেতিয়া শিঙা বাজিব, তেতিয়া শুনিবা। ৪ যিহোৱাই
মোক কোৱা কথা এই, "নিৰ্মল আকাশৰ ৰ'দৰ দৰে, আৰু শস্য চপোৱা
কালৰ গৰম নিয়ৰযুক্ত মেঘৰ দৰে, মই মোৰ গৃহৰ পৰা নিজমে
নিৰীক্ষণ কৰিম।" ৫ শষ্য চপোৱাৰ পূৰ্বে যি সময়ত ফুল সৰিল, আৰু
ফুল পকা দ্ৰাক্ষাগুটিত পৰিণত হ'ল, এনে সময়ত তেওঁ কাঁইটবোৰ
কটাৰীৰে কাটি পেলাব, আৰু সিঁচৰিত হৈ থকা ডালবোৰ কাটি দূৰ
কৰিব। ৬ পৰ্বতৰ চৰাইবোৰৰ বাবে, আৰু পৃথিৱীৰ জন্তুবোৰৰ বাবে
সেই সকলো পৰিত্যক্ত হ'ব; চৰাইবোৰে সেইবোৰৰ ওপৰত গ্ৰীষ্মকাল,
আৰু পৃথিৱীৰ জন্তুবোৰে সেইবোৰৰ ওপৰত জাৰকাল তিবাহিত।
৭ সেই সময়ত দীৰ্ঘকায় আৰু নিমজ গাৰে লোকসকল আগৰে পৰা
এতিয়ালৈকে ভয়ঙ্কৰ এক জাতি, নদীবোৰে দেশ বিভক্ত কৰা দুগুণ
পৰাক্ৰমী আৰু মৰ্দ্দনকাৰী এটা দেশ উপহাৰস্বৰূপে বাহিনীসকলৰ
যিহোৱাৰ ওচৰলৈ, বাহিনীসকলৰ যিহোৱাৰ নাম থকা ঠাই চিয়োন
পৰ্ব্বতলৈ অনা হ'ব।

**১৯** মিচৰৰ বিষয়ে কৰা ঘোষণা। চোৱা, যিহোৱাই দ্ৰুতগামী মেঘত
উঠি মিচৰ দেশলৈ আহিছে; তেওঁৰ সন্মুখত মিচৰৰ মূৰ্ত্তিবোৰ কম্পমান

কৰিছে, আৰু মিচৰীয়াসকলৰ হৃদয় তেওঁলোকৰ ভিতৰত দ্ৰৱ হৈছে। ২
“মই মিচৰীয়াসকলৰ বিৰুদ্ধেই মিচৰীয়াসকলক উচটাম; মানুহে নিজৰ
ভাইৰ বিৰুদ্ধে, আৰু নিজৰ চুবুৰীয়াৰ বিৰুদ্ধে যুদ্ধ কৰিব; নগৰৰ বিৰুদ্ধে
নগৰ, আৰু ৰাজ্যৰ বিৰুদ্ধে ৰাজ্যই যুদ্ধ কৰিব। ৩ মিচৰীয়াসকলৰ
আত্মা নিজৰ ভিতৰত দুৰ্ব্বল হ’ব, মই তেওঁলোকৰ মন্ত্ৰ ধ্বংস কৰিম;
তাতে তেওঁলোকে মূৰ্ত্তিবোৰৰ, ভূত পোহা, আৰু আত্মজ্ঞানীসকলৰ মন্ত্ৰ
চিঞৰীব। ৪ বাহিনীসকলৰ প্ৰভু যিহোৱাই কৈছে, “মই মিচৰীয়াসকলক
এজন নিষ্ঠুৰ মালিকৰ হাতত সমৰ্পণ কৰিম, আৰু এজন পৰাক্ৰমী
ৰজাই তেওঁলোকক শাসন কৰিব।” ৫ সমুদ্ৰৰ পানী শুকাই যাব, আৰু
নদী শুকাই খালী যাব। ৬ নদীবোৰ দুৰ্গন্ধযুক্ত হ’ব, আৰু মিচৰৰ
নদীৰ পানী কমি শুকাই যাব; নল আৰু খাগড়ি নিৰ্জীব হ’ব। ৭ নীল
নদীৰ ঘাট, আৰু নীল নদীৰ দাঁতিৰ ঘাঁহনিবোৰ শুকাই ধূলিলৈ পৰিণত
হ’ব, আৰু বতাহে উৰুৱাই লৈ যাব। ৮ মাছমৰীয়াসকল ক্ৰন্দন কৰিব,
আৰু নদীত বৰশী টুপুৱাসকলে বিলাপ কৰিব, তেওঁলোকৰ দৰে
পানীত জাল পেলোৱাসকলেও দুঃখ কৰিব। ৯ শণ সূতা ফনিওৱা
কাম কৰাসকল আৰু বগা বস্ত্ৰ বোৱাসকল বিবৰ্ণ হ’ব। ১০ মিচৰীয়াৰ
কাপোৰৰ কাম কৰা লোকসকলক ভগ্ন কৰা হ’ব; আৰু হাজিৰাত কাম
কৰাসকলে মনত কষ্ট পাব। ১১ চোৱনৰ ৰাজকুমাৰ সকল সম্পূৰ্ণ মূৰ্খ,
আৰু ফৰৌণৰ সকলোতকৈ জ্ঞানী পৰামৰ্শদাতা সকলৰ মন্ত্ৰণা জ্ঞানশূন্য
হ’ব। “মই জ্ঞানীলোকৰ পুত্ৰ, প্ৰাচীন ৰজাসকলৰ সন্তান,” এই বুলি
ফৰৌণৰ আগত তোমালোক প্ৰতিজনে কেনেকৈ ক’ব পাৰা? ১২
তেনেহ’লে তোমালোকৰ জ্ঞানীলোক ক’ত? তেওঁলোকে তোমালোকক
কওক, আৰু মিচৰৰ বিষয়ে বাহিনীসকলৰ যিহোৱাই কি পৰিকল্পনা
কৰিছে, সেই বিষয়ে তেওঁলোকে জানক। ১৩ চোৱনৰ ৰাজকুমাৰসকল
মূৰ্খ হ’ল, নোফ নগৰৰ ৰাজকুমাৰ সকল প্ৰতাৰিত হ’ল; তেওঁলোকে
মিচৰৰ জাতিবোৰৰ চুকৰ শিল স্বৰূপ, তেওঁলোকে মিচৰীয়াসকলক
বিপথগামী কৰিলে। ১৪ যিহোৱাই তেওঁৰ ভিতৰত বিকৃত আত্মা বাকি
দিলে, মতলীয়ালোকে বমি কৰি ঢলংপলং কৰাৰ দৰে, তেওঁলোকে
মিচৰক তেওঁৰ সকলো কাৰ্যত বিপথগামী কৰিলে, ১৫ মূৰ বা নেগুৰ,

খাজুৰ পাত বা খাগৰি তাত কোনো এজনে মিচৰৰ বাবে একো
কৰিব নোৱাৰে। ১৬ সেই দিনা, মিচৰীয়াসকল মহিলাৰ দৰে হ'ব;
বাহিনীসকলৰ যিহোৱাই তেওঁলোকৰ ওপৰত হাত উঠোৱাৰ বাবে,
তেওঁলোকে কঁপিব আৰু ভয় কৰিব। ১৭ যিহূদা দেশ মিচৰীয়াসকলৰ
আগত ত্ৰাসৰ কাৰণ হ'ব। মিচৰৰ বিৰুদ্ধে বাহিনীসকলৰ যিহোৱাই কৰা
পৰিকল্পনাৰ কাৰণে যেতিয়াই কোনো এজনে তেওঁলোকক সোঁৱৰণ
কৰিব, তেতিয়া তেওঁলোকে ভয় কৰিব। ১৮ সেই দিনা কনানীয়া ভাষা
কোৱা আৰু বাহিনীসকলৰ যিহোৱালৈ শপত খোৱা পাঁচখন নগৰ হ'ব।
এই পাচঁখনৰ এখন সূৰ্যৰ নগৰ নামেৰে প্ৰখ্যাত হ'ব। ১৯ সেই দিনা
মিচৰ দেশৰ মাজত যিহোৱাৰ উদ্দেশ্যে এটা যজ্ঞবেদী, আৰু সীমাত
যিহোৱাৰ উদ্দেশ্যে এটা শিলৰ স্তম্ভ হ'ব। ২০ সেয়ে মিচৰ দেশত
বাহিনীসকলৰ যিহোৱাৰ অৰ্থে এটা চিন আৰু সাক্ষীস্বৰূপ হ'ব। যেতিয়া
তেওঁলোকে উপদ্ৰৱকাৰী সকলৰ বাবে যিহোৱাৰ আগত কাতৰোক্তি
কৰিব; তেতিয়া তেওঁলোকৰ ওচৰলৈ তেওঁ এজন ত্ৰানকৰ্ত্তা আৰু
উদ্ধাৰকৰ্ত্তা পঠাব, আৰু তেওঁ তেওঁলোকক মুক্ত কৰিব। ২১ যিহোৱা
মিচৰত জনাজাত হ'ব, আৰু সেই দিনা মিচৰীয়াসকলে যিহোৱাক
জানিব। তেওঁলোকে বলিদান আৰু উৎসৰ্গৰ সৈতে তেওঁৰ আৰাধনা
কৰিব, আৰু যিহোৱাৰ উদ্দেশ্যে সঙ্কল্প কৰিব, আৰু সিদ্ধও কৰিব।
২২ যিহোৱাই মিচৰক প্ৰহাৰ কৰিব, আৰু প্ৰহাৰ কৰি সুস্থ কৰিব;
তেওঁলোকে যিহোৱালৈ ঘূৰি আহিব, তাতে তেওঁ তেওঁলোকৰ নিবেদন
শুনিব আৰু তেওঁলোকক সুস্থ কৰিব। ২৩ সেই দিনা সেই ঠাইত মিচৰ
দেশৰ পৰা অচূৰলৈকে এটা ৰাজপথ হ'ব, তাতে অচূৰীয়া লোকে
মিচৰলৈ, আৰু মিচৰীয়া লোকে অচোৰলৈ অহা যোৱা কৰিব; আৰু
মিচৰীয়াসকলে অচূৰীয়াসকলৰ সৈতে আৰাধনা কৰিব। ২৪ সেই দিনা
মিচৰ আৰু অচূৰৰ সৈতে ইস্ৰায়েল তৃতীয় হৈ পৃথিৱীৰ মাজত আশীৰ্ব্বাদ
প্ৰাপ্ত হ'ব। ২৫ বাহিনীসকলৰ যিহোৱাই তেওঁলোকক আশীৰ্ব্বাদ কৰিব
আৰু ক'ব, "মোৰ মিচৰীয়া লোকসকল, মোৰ হাতে কৰা কাৰ্য অচূৰ,
আৰু মোৰ আধিপত্য ইস্ৰায়েল আশীৰ্ব্বাদপ্ৰাপ্ত হওক।"

২০ সেই বছৰত অচূৰৰ ৰজা চৰ্গোনে যেতিয়া তৰ্ত্তনক পঠালে,
তেতিয়া তৰ্ত্তন অচ্‌দোদ নগৰলৈ আহিল; আৰু অচদোদৰ বিৰুদ্ধে
যুদ্ধ কৰি তাক জব্দ কৰিলে। ২ সেই সময়ত যিহোৱাই আমোচৰ
পুত্ৰ যিচয়াৰ দ্বাৰাই কথা ক'লে, "যোৱা তোমাৰ কঁকালৰ পৰা চট
কাপোৰ গুচুউৱা, আৰু তোমাৰ ভৰিৰ জোতা সোলোকোৱা।" তাতে
তেওঁ সেইদৰেই কৰি উদং গাৰে আৰু শুদা ভৰিৰে খোজ কাঢ়িলে।
৩ যিহোৱাই ক'লে, "মোৰ দাসৰ দৰে যিচয়াই মিচৰ আৰু কুচৰ
বিষয়ে এক চিন আৰু অদ্ভুত লক্ষণস্বৰূপে উদং গাৰে আৰু শুদা ভৰিৰে
তিনিবছৰলৈকে খোজ কাঢ়িলে, ৪ এই দৰে অচূৰৰ ৰজাই বন্দি কৰা
মিচৰীয়া লোকসকলক লৈ যাব, আৰু কুচ দেশৰ বহিষ্কৃত লোকসকল
যুবক আৰু বুঢ়া, উদং আৰু খালী ভৰি, আৰু অনাবৃত টিকাৰে, মিচৰৰ
লাজৰ বাবে লৈ যাব। ৫ কুচদেশ তেওঁলোকৰ আশা আৰু মিচৰ
দেশ তেওঁলোকৰ গৌৰৱ সেই কাৰণে তেওঁলোক আতঙ্কিত আৰু
লজ্জিত হ'ব। ৬ সেই দিনা সাগৰৰ তীৰৰ দেশ নিবাসীসকলে ক'ব,
"বাস্তৱিকতে, অচূৰীয়া ৰজাৰ পৰা উদ্ধাৰ পাবৰ কাৰণে সহায়ৰ বাবে
য'লৈ আমি পলাই গৈছিলোঁ, আমাৰ সেই আশাৰ এনে দশা; তেনেহ'লে
আমি কেনেকৈ ৰক্ষা পাম?"

২১ সাগৰৰ তীৰৰ মৰুভূমিৰ বিষয়ে কৰা ঘোষণা। দক্ষিণ অঞ্চলত
বা'মৰলী বতাহ বেগেৰে চলাৰ দৰে, এখন ভয়ানক দেশৰ পৰা
আৰু অৰণ্যৰ পৰা পাৰ হৈ আছে। ২ এটি বেদনাদায়ক দৰ্শন মোক
দেখুৱা হৈছে; বিশ্বাসঘাতকে বিশ্বাসঘাতকতা আচৰণ কৰে, আৰু
বিনাশকাৰীয়ে বিনাশ কৰে। হে এলম, উঠি যোৱা, আৰু আক্ৰমণ কৰা;
হে মাদিয়া, অৱৰোধ কৰা; মই তেওঁৰ সকলো ক্ৰন্দন শান্ত কৰিলোঁ।
৩ এই কাৰণে মোৰ কঁকাল বেদনাৰে পূৰ হৈছে; প্ৰসৱ কৰিব লোৱা
মহিলাৰ বেদনাৰ দৰে বেদনা মোৰ হৈছে; মই যি শুনিলো তাৰ দ্বাৰাই
মোৰ আঁঠু কুচ গৈছে; আৰু যি দেখিলোঁ তাৰ দ্বাৰাই মোৰ শান্তিভঙ্গ
হৈছে, ৪ মোৰ হৃদয় চূৰ্ণ হৈছে; কম্পমানে মোক অতিক্ৰম কৰিছে; সেই
নিশা মই যি ইচ্ছা কৰি আছিলোঁ, সেইয়া মোক কম্পমান কৰিবলৈ ঘূৰি
আহিছিল। ৫ তেওঁলোকে মেজ যুগুত কৰিছিল, আৰু ভোজন পান

কৰিবলৈ মেজত কাপোৰ পাৰিছিল; হে সেনাপতিসকল উঠা, ঢালত
তেল ঘঁহা। ৬ কিয়নো প্ৰভুৱে মোক এই দৰে কৈছে, “যোৱা, এজন
প্ৰহৰী নিযুক্ত কৰা; তেওঁ যি দেখিব, সেই বিষয়ে নিশ্চয় তেওঁ সংবাদ
দিব। ৭ যেতিয়া তেওঁ অশ্বাৰোহীৰ সৈতে এটা ৰথক দেখিব, আৰু
গাধ, উটবোৰত আৰোহী দেখিব, তেতিয়া তেওঁ মনোযোগ দিব লাগিব
আৰু অতি সচেতন হ’ব লাগিব।” ৮ সেই প্ৰহৰীজনে ৰিঙিয়াই ক’লে,
“হে প্ৰভু, মই প্ৰতিদিনে প্ৰহৰী স্তম্ভত দিনটো থিয় হৈ থাকো, আৰু
ওৰে ৰাতি পৰ দিয়া ঠাইত মই থিয় হৈ থাকো।” ৯ ৰথচালকৰ সৈতে
সৈন্য, আৰু যোৰকৈ অশ্বাৰোহী ইয়ালৈ আহিছে। তেওঁ চিঞৰী ক’লে,
“বাবিল পতিত হ’ল; আৰু দেৱতাবোৰৰ সকলো মূৰ্ত্তিবোৰ ভাঙি মাটিত
পৰিছে।” ১০ হে মোৰ মৰণা মৰা আৰু পৰিষ্কাৰ জন, হে মোৰ মৰণা
মৰা ঠাইৰ সন্তান, ইস্ৰায়েলৰ ঈশ্বৰ আৰু বাহিনীসকলৰ যিহোৱাৰ পৰা
মই যি শুনিলোঁ, সেই কথা মই তোমালোকক ঘোষণা কৰিলোঁ। ১১
দুমাৰ বিষয়ে ঘোষণা। চেয়ীৰৰ পৰা এজনে মোক মাতি কৈছে, “হে
প্ৰহৰী, ৰাতিৰ কিমান ভাগ গ’ল? হে প্ৰহৰী, ৰাতিৰ কিমান ভাগ গ’ল?”
১২ প্ৰহৰীয়ে উত্তৰ দিলে, “ৰাতিপুৱা হৈছে, আৰু ৰাতিও আহিছে;
যদি আপুনি সুধিব, সোধক; আৰু তাৰ পাছত পুনৰ ঘূৰি আহক।”
১৩ আৰবৰ বিষয়ে ঘোষণা। হে দদানীয়া পথিকসকল, তোমালোকে
আৰবৰ অৰণ্যত ৰাতি থাকিব লাগিব। ১৪ তৃষ্ণাতুৰ লোকসকলৰ বাবে
পানী আনা; তেমা দেশৰ নিবাসীসকলক আহাৰৰ সৈতে সাক্ষাৎ কৰা।
১৫ কিয়নো তেওঁলোক তৰোৱাল, খোলা তৰোৱালৰ পৰা পলাই অহা,
ভিৰোৱা ধেনু, আৰু কষ্টদায়ক যুদ্ধৰ পৰা পলাইছে। ১৬ সেই বাবে
প্ৰভুৱে মোক কৈছে, “এবছৰৰ ভিতৰত হাজিৰাত কাম কৰা মানুহৰ
দৰে কেদৰৰ সকলো গৌৰৱ লুপ্ত হ’ব। ১৭ আৰু কেদৰৰ বংশৰ বীৰ
পুৰুষ ধনুৰ্দ্ধৰসকলৰ অৱশিষ্ট সংখ্যা তাকৰ হ’ব;” কিয়নো ইস্ৰায়েলৰ
ঈশ্বৰ যিহোৱাই এই কথা কৈছে।

২২ উপত্যকাৰ বিষয়ে দেখা দৰ্শনৰ ঘোষণা। তোমালোক সকলোৱে
ঘৰৰ চালত কিহৰ বাবে উঠিলা? ২ কোলাহলপূৰ্ণ নগৰ, হে উল্লাসপ্ৰিয়
নগৰ, তোমালোকৰ মৃতবোৰ তৰোৱালেৰে হ’ত হোৱা নাই, আৰু

তেওঁলোক যুদ্ধতো মৰা নাই। ৩ তোমালোকৰ শাসনকৰ্ত্তাসকল
একেলগে পলাই গ'ল, কিন্তু তেওঁলোকক বিনা ধনুৰে ধৰা হ'ল;
তেওঁলোকক সকলোকে বন্দী কৰা হ'ল, তেওঁলোকে দূৰলৈ পলাইছিল।
৪ সেই বাবে মই ক'লো, "মোলৈ দৃষ্টি নকৰিবা, মই সন্তাপেৰে ক্রন্দন
কৰিম; মোৰ লোকসকল জীয়াৰীৰ সর্বনাশৰ বাবে মোক শান্তনা দিবলৈ
চেষ্টা নকৰিবা। ৫ কিয়নো বাহিনীসকলৰ প্রভু যিহোৱাৰ বাবে ইয়াত
এটা বিক্ষোভ, পদদলিত কৰা দিন উপস্থিত হৈছে, দর্শনৰ উপত্যকাত,
দেৱালবোৰ ভঙা হৈছে, আৰু আটাহ পৰাৰ শব্দ পৰ্ব্বতলৈকে গৈছে।
৬ এলমে ৰথ আৰু অশ্বাৰোহীৰ সৈতে তূণ লৈ গৈছে, আৰু কীৰ ঢাল
খুলিছে। ৭ তোমালোকৰ মনোৰম্য উপত্যকা অহাৰ বিষয়ে ৰথবোৰেৰে
পৰিপূর্ণ হ'ব, আৰু অশ্বাৰোহীসকলে ৰাজদুৱাৰত নিজৰ স্থান ল'ব।" ৮
তেওঁ যিহূদাৰ সুৰক্ষা আতৰালে; আৰু সেই দিনা তোমালোক জংঘলৰ
ৰাজপ্রাসাদত থকা অস্ত্রশস্ত্র দেখিছিলা; ৯ তোমালোক দায়ূদৰ নগৰৰ
বিচ্ছেদ দেখিলা সেইবোৰ অনেক আছিল; আৰু তোমালোক পুখুৰীৰ
তলৰ পানীবোৰ গোটালা। ১০ তোমালোকে যিৰূচালেমৰ ঘৰবোৰ
গণনা কৰিলা, আৰু নগৰৰ গড় সুদৃঢ় কৰিবৰ বাবে তাৰ ঘৰবোৰ
ভাঙি পেলালা; ১১ তোমালোকে পুৰণি পুখুৰীৰ পানীৰ বাবে দেৱাল
দুটাৰ মাজত এটা জলাধাৰ তৈয়াৰ কৰিলা। কিন্তু যি জনে বহু দিন
আগতে এই পৰিকল্পনা কৰিছিল সেই জনলৈ তোমালোকে দৃষ্টি
নকৰিলা, ১২ সেইদিনা বাহিনীসকলৰ প্রভু যিহোৱাই, কান্দিবলৈ,
বিলাপ কৰিবলৈ, মূৰ টকলা কৰিবলৈ, আৰু চট কাপোৰ কঁকালত
বান্ধিবলৈ মাতিছিল; ১৩ কিন্তু চোৱা, তাৰ পৰিৱৰ্তে উৎসৱ উদযাপন,
উল্লাস, পহু বধ, মেৰ-ছাগ বলি, মাংস-ভোজন, আৰু দ্রাক্ষাৰস পান
কৰা চলি আছিল; "আহাঁ, আমি ভোজন পান কৰোঁহক, কিয়নো কাইলৈ
আমি মৰিম।" ১৪ মই শুনা বাহিনীসকলৰ যিহোৱাৰ দ্বাৰাই কোৱা
কথা এই, "তোমালোকৰ এই অপৰাধ ক্ষমা কৰা নহ'ব, এনে কি,
তোমালোকে মৰিলেও নহ'ব" এইয়ে বাহিনীসকলৰ যিহোৱা প্রভুৰ
কোৱা কথা। ১৫ বাহিনীসকলৰ যিহোৱা প্রভুৱে এইদৰে কৈছে,
"চেবনাৰ বংশৰ ওপৰত থকা তত্বাৱধায়কৰ ওচৰলৈ যোৱা আৰু কোৱা,

১৬ ‘ইয়াত তোমাৰ কি আছে, আৰু তুমি কোন, যে তুমি ইয়াত নিজৰ
বাবে এটা মৈদাম খানিলা? সিও নিজৰ বাবে এটা মৈদাম খানিলে,
নিজৰ বাবে শিলত এটা বিশ্ৰামস্থান ক্ষোদিত কৰিলে’।” ১৭ চোৱা,
যিহোৱাই তোমাক দলিয়াই পেলাব, পৰাক্ৰমী জন তললৈ দলিয়াই
পেলাব, তেওঁ তোমাক দুৰ্লভভাবে হাতেৰে মুচৰিব। ১৮ তেওঁ নিশ্চয়কৈ
তোমাক গুল গুলকৈ নুৰিয়াই বলৰ দৰে গোল কৰি বহল দেশত পেলাই
দিব; তোমাৰ প্ৰভুৰ বংশক লাজ দিয়া জন যি তুমি, তুমি সেই ঠাইত
মৰিবা, আৰু তোমাৰ তেজস্বী ৰথবোৰ তাত থাকিব। ১৯ “মই তোমাক
তোমাৰ কাৰ্যালয়ৰ পৰা আৰু তোমাৰ স্থানৰ পৰা খেদিম। তোমাক
তলত পেলাই দিয়া হ’ব। ২০ সেই দিনা অহাৰ সময়ত, মই মোৰ দাস
হিল্কিয়াৰ পুত্ৰ ইলিয়াকীমক মাতিম; ২১ মই তোমাৰ ৰাজবস্ত্ৰ, আৰু
তোমাৰ টঙালি তেওঁক পিন্ধাম, আৰু মই তোমাৰ ক্ষমতাৰ ভাৰ তেওঁৰ
হাতত অৰ্পণ কৰিম। তেওঁ যিৰূচালেম নিবাসীসকলৰ আৰু যিহূদা
বংশৰ পিতৃস্বৰূপ হ’ব। ২২ মই দায়ূদৰ বংশৰ চাবি তেওঁৰ কান্ধত
দিম; তাতে তেওঁ খুলিব, আৰু কোনেও বন্ধ নকৰিব, তেওঁ বন্ধ কৰিব,
আৰু কোনেও নোখুলিব। ২৩ মই সুৰক্ষিত স্থানত তেওঁক গজাল স্বৰূপে
মাৰিম; আৰু তেওঁ নিজৰ পিতৃৰ বংশলৈ গৌৰৱৰ আসন স্বৰূপ হ’ব।
২৪ তেওঁৰ পিতৃ-বংশৰ সকলো গৌৰৱ, সন্তান সকল আৰু বংশধৰ,
প্ৰতিটো সৰু পাত্ৰ, আৰু পিয়লাৰ পৰা সকলো কলহলৈকে তেওঁলোকে
নিজৰ ওপৰত আৰি থ’ব। ২৫ সেই দিনা বাহিনীসকলৰ যিহোৱাই
কৰা ঘোষণা এই, “দৃঢ় স্থানত মৰা খুটিটো খহি পৰিব, বিছিন্ন হ’ব,
পতিত হ’ব, আৰু তাৰ ওপৰত আৰি থোৱা ভাৰ বিচ্ছিন্ন হ’ব” কিয়নো
যিহোৱাই এই কথা ক’লে।

**২৩** তূৰৰ বিষয়ে কৰা ঘোষণা: হে তৰ্চীচৰ জাহাজবিলাক, হাহাকাৰ
কৰা; কিয়নো ঘৰ কি সোমোৱা বাট একোৱেই নাই; কিত্তীম দেশৰ
পৰা তেওঁলোকলৈ ইয়াক প্ৰকাশ কৰা হ’ল। ২ হে দ্বীপ-নিবাসীসকল,
তোমালোক নিমাত হৈ থাকা; চীদোনীয়া বণিকসকল সমুদ্ৰ পাৰ হৈ
আহি তোমাক যোগান ধৰিছিল। ৩ চীহোৰৰ উৎপন্ন দ্ৰব্য মহাজলত
আছিল, নীল নদীৰ শস্য তাৰ আয় হৈছিল; আৰু সেয়ে দেশবাসীসকলৰ

বজাৰ কৰা ঠাই আছিল। ৪ হে চীদোন, তুমি লজ্জিত হোৱা; কিয়নো
সাগৰে কৈছে, সমুদ্ৰৰ দৃঢ় কোঁঠে কৈছে, “মই প্ৰসৱ কৰা নাই, মই
সন্তান জন্ম দিয়া নাই, মই ডেকাসকলক প্ৰতিপালন কৰা নাই, নাইবা
যুৱতীসকলক ডাঙৰ দীঘল কৰা নাই।” ৫ যেতিয়া বাৰ্ত্তা মিচৰ দেশলৈ
আহিব, তেতিয়া তেওঁলোক তূৰৰ বিষয়ে অতিশয় দুখিত হ’ব। ৬
তোমালোকে তৰ্চীচলৈ পাৰ হৈ যোৱা, হে দ্বীপ নিবাসীসকল, হাহাকাৰ
কৰা। ৭ হে উল্লাস কৰা নগৰ তোমাৰ সৈতে এইদৰে হ’ল নে? যাৰ
উৎপত্তি প্ৰাচীন কালৰ পৰা আছে। ৮ যাৰ বনিকসকল ৰাজপুত্ৰ, যাৰ
বেপাৰীসকল পৃথিৱীৰ মান্যৱন্ত লোক, সেই ৰাজমুকুট দিয়া তূৰ নগৰৰ
বিৰুদ্ধে কোনে এই কল্পনা কৰিলে? ৯ বাহিনীসকলৰ যিহোৱাই
তেওঁৰ অহংকাৰ অমৰ্যাদা কৰিবলৈ, আৰু তেওঁৰ সকলো গৌৰৱ, আৰু
পৃথিৱীৰ মান্যৱন্ত লোকক অপমানিত কৰিবলৈ পৰিকল্পনা কৰিছে।
১০ হে তৰ্চীচ জীয়াৰী নীল নদীৰ দৰে তোমালোক দেশত হাল বোৱা;
তোমাৰত বহু দিনলৈকে বজাৰৰ ঠাই নাই। ১১ যিহোৱাই সমুদ্ৰৰ
ওপৰত নিজৰ হাত মেলিলে, তেওঁ ৰাজ্যবোৰ জোকাৰিলে, যিহোৱাই
কনানৰ বিষয়ে তাৰ দুৰ্গবোৰ বিনষ্ট কৰিবলৈ আজ্ঞা দিলে। ১২
তেওঁ ক’লে, “চীদোনৰ নিৰ্যাতিতা কুমাৰী জীয়াৰী, তুমি আৰু উল্লাস
নকৰিবা, উঠা, কিত্তীমলৈ পাৰ হৈ যোৱা; কিন্তু তাতো তুমি জিৰণি
নাপাবা। ১৩ কলদীয়াসকলৰ দেশ চোৱা; সেই লোকসকল আৰু নাই;
অচূৰীয়া লোকে বনৰীয়া জন্তুৰ বাবে ইয়াক আৰণ্য নিৰূপণ কৰিলে;
সিহঁতে আক্ৰমণ কৰিবৰ অৰ্থে ওখ দ’ম স্থাপন কৰিলে; সিহঁতে তাৰ
অট্টালিকাবোৰ ধ্বংস কৰিলে; সিহঁতে তাক ভগ্নৰাশি কৰিলে। ১৪ হে
তৰ্চীচৰ জাহাজবিলাক, হাহাকাৰ কৰা; কিয়নো তোমালোকৰ আশ্ৰয়
উচ্ছন্ন হ’ল। ১৫ সেই সময়ত, ৰজাৰ ৰাজত্বকাল দৰে তূৰ নগৰক সত্তৰ
বছৰ পহৰা যাব; সত্তৰ বছৰৰ পাছত তূৰ নগৰৰ দশা বেশ্যাৰ গীতৰ
দৰে হ’ব। ১৬ “হে বিস্মৃতা বেশ্যা, বীণা লৈ নগৰ খন ফূৰা; তোমাৰ
স্মৰণ ৰাখিবৰ বাবে মনোহৰ বাদ্য বজোৱা, অনেক গীত গোৱা।” ১৭
সত্তৰ বছৰৰ পাছত যিহোৱাই তূৰক সহায় কৰিব; আৰু তেওঁ নিজৰ
লাভ জনক ব্যৱসায় পুনৰায় কৰিব, আৰু ৰাজ্যৰ সকলোতে আৰু

পৃথিৱীৰ সকলো ৰাজ্যে সৈতে বেশ্যা কৰ্ম কৰিব। ১৮ তেওঁৰ উপাৰ্জন
আৰু আয় যিহোৱাৰ উদ্দেশ্যে ৰখা হ'ব; সেয়ে ভঁৰালত গোটাই থোৱা
বা সাঁচি ৰখা নহ'ব; কিয়নো তেওঁৰ উপাৰ্জন যিহোৱাৰ সন্মুখত বাস
কৰাসকলৰ অৰ্থে যথেষ্ঠ পৰিমাণে খাবৰ বাবে আৰু সুন্দৰ বস্ত্ৰৰ বাবে
ব্যৱহাৰ হ'ব।

২৪ চোৱা, যিহোৱাই পৃথিৱী খালী কৰিছে, আৰু তাক শূন্য কৰিছে,
আৰু তাৰ মুখ তল কৰি তাৰ নিবাসীসকলক সিঁচৰিত কৰিছে। ২
প্ৰজা যেনে পুৰোহিতো তেনে, দাস যেনে মালিকো তেনে, দাসী যেনে
মালিকনীও তেনে, কিনা জন যেনে বিক্ৰী কৰা জনো তেনে, ধাৰ
দিয়া জন যেনে ধাৰ লোৱা জনো তেনে, সূত লোৱা জন যেনে সূত
দিয়া জনো তেনে হ'ব। ৩ পৃথিৱী সম্পূৰ্ণকৈ শূন্য আৰু লুট কৰা হ'ব;
কিয়নো যিহোৱাই এই কথা কৈছে, ৪ পৃথিৱীয়ে শোক কৰি লেৰেলা
পৰিছে, জগতখন দুৰ্ব্বল হৈ জয় পৰিছে, পৃথিৱীৰ সম্ভ্ৰান্ত লোকসকল
দুৰ্ব্বল হৈছে। ৫ পৃথিৱীও তাৰ নিবাসীসকলৰ দ্বাৰাই অপবিত্ৰ হ'ল,
কাৰণ তেওঁলোক আজ্ঞাবোৰ লঙ্ঘন কৰিলে, বিধি পৰিবৰ্তন কৰিলে,
আৰু চিৰস্থায়ী নিয়ম ভঙ্গ কৰিলে। ৬ সেই বাবে অভিশাপে পৃথিৱী
গ্ৰাস কৰিলে, আৰু তাৰ নিবাসীসকলক দোষী পোৱা গ'ল। পৃথিৱী
নিবাসীসকল দগ্ধ হ'ল, আৰু অলপ সংখ্যক লোক অৱশিষ্ট থাকিল। ৭
নতুন দ্ৰাক্ষাৰসে শোক কৰিছে, দ্ৰাক্ষালতা জয় পৰি গৈছে, আনন্দিত
মনৰ লোকসকলে হুমুনীয়াহ কাঢ়িছে। ৮ খঞ্জৰীবোৰৰ আনন্দ ধ্বনি
বন্ধ হ'ল, উল্লাস কৰা সকল ওৰ পৰিল, বীণাৰ আনন্দ ধ্বনি শেষ
হ'ল। ৯ তেওঁলোক আৰু দ্ৰাক্ষাৰস পান কৰা নাই আৰু গান গোৱা
নাই; সুৰা পান কৰা লোকৰ মুখত সুৰা তিতা লাগিব; ১০ উচ্ছন্নপুৰি
ভগ্ন হ'ল; প্ৰতিখন ঘৰ খালী আৰু বন্ধ হ'ল। ১১ দ্ৰাক্ষাৰসৰ কাৰণে
লোকসকলে বাটত কান্দিছে; সকলো আনন্দ মাৰ গ'ল, দেশত আনন্দ
ধ্বনি নাইকিয়া হ'ল। ১২ নগৰত কেৱল ধ্বংস বাকি থাকিল, আৰু
দুৱাৰখন ভাঙি নষ্ট হ'ল। ১৩ কিয়নো জিত গছ জোকাৰিলে যেনে হয়,
দ্ৰাক্ষাফল গোটাবৰ পাছত চেৰ পৰা গুটি যেনে হয়, প্ৰজাসকলৰ মাজত
পৃথিবীও তেনে হয়। ১৪ তেওঁলোক উচ্চ স্বৰেৰে যিহোৱাৰ ঐশ্বৰ্যৰ

জয় ধ্বনি কৰিব, সমুদ্ৰৰ পৰা আনন্দেৰে উচ্চ ধ্বনি কৰিব। ১৫ এই
হেতুকে পূব দিশত যিহোৱা গৌৰৱান্বিত হৈছে, আৰু সমুদ্ৰৰ দ্বীপবোৰত
ইস্রায়েলৰ ঈশ্বৰ যিহোৱাৰ নাম গৌৰৱান্বিত হৈছে। ১৬ আমি পৃথিবীৰ
অন্তভাগৰ পৰা গীত শুনিলোঁ, “ধাৰ্মিকজনৰ গৌৰৱ হওক।” কিন্তু মই
কলোঁ, “মই ক্ষয় হৈ গৈছোঁ, মই ক্ষয় হৈ গৈছোঁ, মোৰ সন্তাপ হ’ল;
বিশ্বাসঘাতকসকলে অতিশয় বিশ্বাসঘাতকতা কৰিলে। ১৭ পৃথিৱী
নিবাসীসকল তোমালোকৰ বাবে আপদ, গাত, আৰু ফান্দ নিৰূপিত
কৰা আছে। ১৮ সেই আপদৰ বাৰ্ত্তা পাই পলোৱা জন সেই গাতত
পৰিব, আৰু সেই গাতৰ ভিতৰৰ পৰা ওলোৱা জন সেই ফান্দত ধৰা
পৰিব, কিয়নো স্বৰ্গৰ দুৱাৰবোৰ মুকলি হ’ব, আৰু পৃথিৱীৰ মূলবোৰ
লৰিব। ১৯ পৃথিৱী সম্পূৰ্ণকৈ ভগ্ন হ’ব, পৃথিৱী ডোখৰ ডোখৰ হ’ব;
পৃথিৱী অত্যন্ত লৰিব। ২০ পৃথিৱী মাতাল মানুহৰ দৰে ঢলংপলং
কৰিব, আৰু জুলনিৰ দৰে জুলিব, আৰু তাৰ অপৰাধ তাৰ ওপৰত গধূৰ
হোৱাত পতিত হ’ব, পুনৰায় আৰু নুঠিব। ২১ যেতিয়া সেই দিন আহিব,
সেই দিনা যিহোৱাই উচ্চস্থানত উচ্চস্থানীয় বাহিনীসকলক, আৰু
পৃথিবীত পৃথিবীৰ ৰজাসকল দণ্ড দিব। ২২ কাৰাগাৰত বন্দীয়াৰসকলক
গোটোৱাৰ দৰে তেওঁলোকক গোটোৱা হ’ব, আৰু বন্দীশালত বন্ধ
কৰা হ’ব; আৰু অনেক দিনৰ পাছত তেওঁলোকক দণ্ড দিয়া হ’ব। ২৩
তেতিয়া চন্দ্ৰ লজ্জিত হ’ব আৰু সূৰ্য অপদস্থ হ’ব; কাৰণ বাহিনীসকলৰ
যিহোৱাই চিয়োন পৰ্ব্বত, যিৰূচালেমত, আৰু নিজৰ পৰিচাৰকসকলৰ
সন্মুখত গৌৰৱেৰে ৰাজত্ব কৰিব।

**২৫** হে যিহোৱা আপুনি মোৰ ঈশ্বৰ; মই আপোনাক মহিমান্বিত
কৰিম, মই আপোনাৰ নাম প্ৰশংসা কৰিম; কাৰণ আপুনি আচৰিত
কৰ্ম কৰিলে, বহু আগৰ কল্পনাবোৰ বিশ্বস্ততাৰে আৰু সত্যতাৰে
সিদ্ধ কৰিলে। ২ কিয়নো অাপুনি আমাৰ শত্ৰুবোৰক নগৰখনত
স্তূপত পৰিণত কৰিলা, আৰু গড়েৰে আবৃত নগৰক ধ্বংস কৰিলে,
বিদেশীসকলৰ নগৰৰ দুৰ্গ নোহোৱা হ’ল। ৩ সেই বাবে বলবন্ত
লোকসকলে অাপোনাক গৌৰৱান্বিত কৰিব, ভয়ানক জাতিবোৰৰ
নগৰে অাপোনাক ভয় কৰিব। ৪ কিয়নো আপুনি দুখীয়াৰ বাবে

সুৰক্ষা, আৰু দুৰৱস্থাত থকা অভাৱীসকলৰ প্ৰতিপালক, ধুমুহাৰ পৰা
ৰক্ষা পাবলৈ আশ্ৰয়, আৰু সূৰ্যৰ তাপ নাপাবলৈ ছাঁস্বৰূপ হৈছে। ৫
খৰাং দেশত ৰ'দ যেনে, তেনেকৈ আপুনি বিদেশীসকলৰ কোলাহল
দমন কৰিব; যি দৰে মেঘৰ ছাঁৰে ৰ'দ নিবাৰণ কৰা হয়, সেই দৰে
নিষ্ঠুৰ লোকৰ গান স্থগিত কৰা হ'ব। ৬ বাহিনীসকলৰ যিহোৱাই এই
পৰ্ব্বতত সকলো জাতিৰ বাবে চৰ্বিযুক্ত আহাৰৰ ভোজ, নিৰ্বাচিত
দ্ৰাক্ষাৰস, কোমল মাংস, ক'ম পৰিমাণে ভোজ যুগুত কৰিব। ৭ যি
ওৰণিৰে সকলো লোকক ঢকা হৈছে, আৰু যি আবৰণ সকলো জাতি
সমূহৰ ওপৰত বিস্তাৰিত আছে, যিহোৱাই এই পৰ্ব্বতত তাক নষ্ট
কৰিব। ৮ তেওঁ চিৰকাললৈকে মৃত্যুক গ্ৰাহ কৰিব, আৰু প্ৰভু যিহোৱাই
সকলোৰে চেহেৰাৰ পৰা চকুলো মচিব, আৰু গোটেই পৃথিৱীৰ পৰা
নিজৰ প্ৰজাসকলৰ দুৰ্ণাম দূৰ কৰিব; কিয়নো যিহোৱাই এই কথা
ক'লে। ৯ সেই দিনা এই দৰে কোৱা হ'ব, "চোৱা, এৱেঁই আমাৰ
ঈশ্বৰ, আমি এওঁলৈ অপেক্ষা কৰি আছিলোঁ, আৰু এৱেঁই আমাক
পৰিত্ৰাণ দিব; এৱেঁই যিহোৱা; আমি এওঁলৈ অপেক্ষা কৰি আছিলোঁ,
আমি তেওঁৰ পৰিত্ৰাণত উল্লাসিত হৈ আনন্দ কৰিম। ১০ কিয়নো
চিয়োন পৰ্ব্বতত যিহোৱাৰ হাতে স্থিতি ল'ব, আৰু গোবৰ পেলোৱা
গাতত যিদৰে খেৰ গচকা হয়, সেই দৰে মোৱাবক নিজৰ ঠাইত
গচকা হ'ব। ১১ আৰু সাঁতোৰা মানুহে যিদৰে সাঁতুৰিবলৈ হাত দুখন
মেলে, সেই দৰে তেওঁ তাৰ মাজত নিজৰ হাত মেলিব; কিন্তু যিহোৱাই
তেওঁৰ নানাবিধ হাতৰ কৌশলেৰে সৈতে তাৰ গৰ্ব্ব খৰ্ব্ব কৰিব। ১২
তোমালোকৰ ওখ দুৰ্গত থকা দেৱালবোৰ তেওঁ মাটিত পেলাব, এনে
কি, ধূলিত পৰিণত কৰিব।

২৬ সেই দিনা যিহূদাৰ দেশত এই গীত গোৱা হ'ব, "আমাৰ
এখন দৃঢ় নগৰ আছে; প্ৰভুৱে পৰিত্ৰাণকেই তাৰ দেৱাল আৰু গড়
নিৰূপিত কৰিলে। ২ সত্যক পালন কৰা ধাৰ্মিক দেশবাসী সোমাবলৈ
তোমালোকে দুৱাৰবোৰ মেলি দিয়া। ৩ যাৰ মনে আপোনাত নিৰ্ভয়
কৰে, আপুনি তেওঁক সম্পূৰ্ণ শান্তিত ৰাখিব; কিয়নো তেওঁ আপোনাত
ভাৰসা কৰিছে। ৪ তোমালোকে চিৰকাললৈকে যিহোৱাত ভাৰসা কৰা;

কিয়নো যিহোৱা চিৰস্থায়ী শিলা। ৫ কাৰণ অহঙ্কাৰেৰে জীৱন যাপন
কৰা সকলক তেওঁ নত কৰিব; তেওঁ তাক অবনত কৰিব, মাটিৰে সৈতে
সমান কৰিলে। তেওঁ ধুলিৰ সমান কৰিব। ৬ দৰিদ্ৰসকলৰ ভৰিয়ে
তাক গচকিছে, আৰু অভাৱীসকলেও তাক গচকিছে। ৭ ধাৰ্মিকলোকৰ
পথ সৰল; আপুনি ধাৰ্মিকসকলৰ পথ সমান কৰিছে। ৮ হে যিহোৱা,
আপোনাৰ বিচাৰৰ পথত আমি আপোনালৈ অপেক্ষা কৰি আছোঁ;
আপোনাৰ নাম আৰু আপোনাৰ স্মৃতিবোৰ আমাৰ আত্মাই হেপাহ
কৰিছে। ৯ ৰাতি মোৰ প্ৰাণে সৈতে মই আপোনালৈ হাবিয়াহ কৰিলোঁ;
এনে কি, মোৰ আত্মাৰে সৈতে যত্নেৰে আপোনাক বিচাৰিম; কিয়নো
পৃথিৱীত আপোনাৰ বিচাৰ অহাৰ সময়ত পৃথিৱীৰ নিবাসীসকলে
ধাৰ্মিকতা শিকে। ১০ দুষ্ট লোকে অনুগ্ৰহ পালেও, ধাৰ্মিকতা নিশিকে;
ন্যায়ৰ দেশত তেওঁ অন্যায় কৰে, আৰু যিহোৱাৰ মহিমালৈ দৃষ্টি নকৰে।
১১ হে যিহোৱা, আপোনাৰ হাত দঙা আছে, তথাপি তেওঁলোক দৃষ্টি
নকৰে; কিন্তু তেওঁলোকে লোকসকলৰ বাবে আপোনাৰ উৎসাহ দেখি
লজ্জিত হ'ব; কাৰণ অগ্নিয়ে আপোনাৰ শত্ৰুবোৰক গ্ৰাস কৰিব। ১২ হে
যিহোৱা, আপুনি আমালৈ শান্তি নিৰূপন কৰিব; কিয়নো আপুনি আমাৰ
বাবে সকলো কাৰ্যকেই সিদ্ধ কৰি আহিছে। ১৩ হে আমাৰ ঈশ্বৰ
যিহোৱা, আপোনাৰ বাহিৰে আন প্ৰভুসকলে আমাৰ ওপৰত অধিকাৰ
কৰিছিল, কিন্তু আমি কেৱল আপোনাৰ নামৰ স্তুতি কৰিম। ১৪ সিহঁত
মৰা, পুনৰায় নিজীৱ; সিহঁত মৃত, পুনৰায় নুঠিব; আপুনি বিচাৰত আহি
সিহঁতক নষ্ট কৰিলে, আৰু সিহঁতৰ সকলো নাম লুপ্ত কৰিলে। ১৫
আপুনি জাতিটো বৃদ্ধি কৰিলে; আপোনাৰ গৌৰৱ হ'ল, আপুনি দেশৰ
আটাই সীমা বহল কৰিলে। ১৬ হে যিহোৱা, সঙ্কট সময়ত লোকসকল
আপোনাৰ দৃষ্টি কৰিছিল; তেওঁলোকৰ ওপৰত আপোনাৰ শাসন থকা
সময়ত তেওঁলোকে চয়তানৰ বিৰুদ্ধে মৃদুস্বৰে প্ৰাৰ্থনা কৰিছিল। ১৭
গৰ্ভৱতী মহিলাই সন্তান প্ৰসৱ কৰা সময়ত যেনেকৈ ছটফটাই বেদনাত
চিঞৰে, হে যিহোৱা, সেই দৰে আমি আপোনাৰ আগত আছিলোঁ। ১৮
আমি গৰ্ভৱতী আছিলোঁ, আমি বেদনাত আছিলোঁ, আমি যেন বতাহহে
প্ৰসৱ কৰিছিলোঁ; আমাৰ দ্বাৰাই পৃথিৱীত কোনো পৰিত্ৰাণ সিদ্ধ হোৱা

নাই, নাইবা পৃথিৱীৰ নিৰ্বাসীসকল পতিত হোৱা নাই। ১৯ আপোনাৰ
মৃত লোকসকল পুনৰায় জীব, আমাৰ মৰা শৰবোৰ আকৌ উঠিব; হে
ধুলিত স্থাপিত হোৱা সকল সাৰ পোৱা আৰু গান কৰা; কিয়নো তোমাৰ
নিয়ৰ তৃণ আদি সতেজ কৰা সকল নিয়ৰৰ দৰে হ'ব, আৰু পৃথিৱীয়ে
মৃতবোৰক উলিয়াব। ২০ হে মোৰ লোকসকল যোৱা, তোমালোকৰ
কোঁঠালিত সোমোৱা, আৰু চাৰিও ফালে দুৱাৰ বন্ধ কৰা; ক্ৰোধ মাৰ
নোযোৱালৈকে খন্তেক মনে মনে লুকাই থাকা। ২১ কিযনো চোৱা,
পৃথিৱীৰ নিবাসীসকলক তেওঁলোকৰ অপৰাধৰ বাবে দণ্ড দিবলৈ তেওঁ
নিজৰ ঠাইৰ পৰা ওলাই আহিছে, পৃথিৱীয়ে তাৰ ৰক্তপাত দেখুৱাই
দিব, আৰু নিজৰ হ'ত হোৱা লোকক আৰু ঢাকি নাৰাখিব।"

**২৭** সেই দিনা যিহোৱাই তেওঁৰ চোকা, ডাঙৰ, আৰু শকত তৰোৱালৰ
সৈতে, দ্ৰুতগামী লিবিয়াথন নাগক, আৰু বেকাঁবেঁকিকৈ যোৱা
লিবিয়াথন নাগক দণ্ড দিব, আৰু সমুদ্ৰত থকা বৃহৎ জন্তুটোক বধ
কৰিব। ২ সেইদিনা- "এখন মনোৰম দ্ৰাক্ষাবাৰীত, সেই বিষয়ে গান
কৰিবা। ৩ "মই যিহোৱাই তাৰ প্ৰতিপালক, মই প্ৰতি নিমিষতে তাত
পানী দিওঁ; মই দিনে ৰাতিয়ে তাক পহৰা দিওঁ যাতে কোনোৱে তাক
হানি নকৰে। ৪ মই ক্ৰোধ কৰা নাই; অহ, কাঁইটীয়া বন আৰু কাঁইট
গছৰ হাবি, যুদ্ধত মই তেওঁলোকৰ বিৰুদ্ধে গলো! মই সেইবোৰক
একেলগে দগ্ধ কৰিম। ৫ নতুবা সি মোৰ পৰাক্ৰমৰ আশ্ৰয় লওক,
আৰু মোৰে সৈতে সন্ধি কৰক, মোৰে সৈতে সন্ধি কৰিবলৈ দিয়া
হওক। ৬ ভবিষ্যত দিনত যাকোবে শিপা ধৰিব; ইস্ৰায়েলে কলি ধৰিব
আৰু ফুলিব, আৰু তেওঁলোকে ভূ-মণ্ডলক ফলেৰে পৰিপূৰ্ণ কৰিব।" ৭
তেওঁ ইস্ৰায়েলৰ প্ৰহাৰকক যেনেকৈ প্ৰহাৰ কৰিছিল, তেনেকৈ তেওঁ
ইস্ৰায়েলক প্ৰহাৰ কৰিলে নে? তাৰ দ্বাৰাই হ'ত হোৱাসকলৰ হত্যাৰ
দৰে জানো তেওঁৰ হত্যা হ'ল নে? ৮ তেওঁ যাকোব আৰু ইস্ৰায়েলক
যুদ্ধলৈ পঠাই দিয়াৰ দ্বাৰাই দণ্ড দিছা; তেওঁৰ পূব দিশৰ বতাহৰ
দিনা নিজৰ প্ৰবল বায়ুৰ দ্বাৰাই তেওঁক স্থানান্তৰিত কৰিলে। ৯ এই
হেতুকে ইয়াৰ দ্বাৰাই, যাকোবৰ অপৰাধ মোচন কৰা হ'ব, ইয়াৰ বাবে
তেওঁৰ পাপ মোচন কৰাৰ এইয়ে সকলো ফল, আচেৰাৰ স্তম্ভবোৰ,

প্ৰতিমাবোৰ পুনৰাই তুলিব নোৱাৰাকৈ, আৰু যজ্ঞবেদীবোৰ তেওঁ
শিলবোৰৰ দৰে কৰিব। ১০ কিয়নো গড়েৰে আবৃত নগৰ পৰিত্যক্ত
হ'ব, আৰু মানুহ নথকা বাসস্থান হৈ অৰণ্যৰ দৰে নিৰ্জন হ'ব; তাত
দামুৰি চৰিব, তাত শুব আৰু ডালবোৰ খাব। ১১ তাৰ ডাল যেতিয়া
শুকাই যায়, তেতিয়া সেইবোৰ ভাঙি যাব; আৰু মহিলাসকলে আহি
সেইবোৰ লৈ জুই ধৰিব; কিয়নো এই লোকসকল বিবেচনা শক্তি থকা
লোক নহয়; এই হেতুকে তাৰ সৃষ্টিৰ্কতাই তাক দয়া নকৰিব, আৰু
তেওঁৰ নিৰ্ম্মাণকৰ্ত্তাই তাক কৃপা নকৰিব। ১২ সেই দিনা এই সকলো
ঘটিব, যিহোৱাই ফৰাৎ নদীৰ বৈ যোৱা সোঁতৰ পৰা মিচৰৰ জুৰিলৈকে
সম্পূৰ্ণ পৰাস্ত কৰিব; আৰু হে ইস্ৰায়েলৰ লোকসকল তোমালোকক
এটা এটা কৈ গোট খোৱা হ'ব। ১৩ সেই দিনা এটা ডাঙৰ শিঙা বজোৱা
হ'ব; আৰু অচূৰ দেশত নষ্ট হ'ব লগাসকল আৰু মিচৰ দেশলৈ বন্দী
কৰি নিয়া লোকসকল আহিব; তেওঁলোকে যিৰূচালেমত থকা পবিত্ৰ
পৰ্ব্বতত যিহোৱাৰ আৰাধনা কৰিব।

২৮ ইফ্ৰয়িমৰ মতলীয়াসকলৰ অহঙ্কাৰৰ ৰাজমুকুট, আৰু
দ্ৰাক্ষাৰসেৰে পৰাজিত হোৱাসকলৰ উৰ্ব্বৰা উপত্যকাৰ মূৰত থকা
জয় পৰা সুন্দৰ ভূষণস্বৰূপ ফুলৰ সন্তাপ হ'ব। ২ চোৱা, প্ৰভুৰ এজন
পৰাক্ৰমী আৰু বলৱান লোক আছে; শিলৰ ধুমুহাৰ দৰে, ধ্বংসাত্মক
প্ৰচণ্ড বতাহৰ দৰে, তললৈ নিয়া প্ৰবল ধল পানীৰ সোঁতৰ দৰে, তেওঁ
নিজৰ হাতেৰে পৃথিৱীক প্ৰহাৰ কৰিব। ৩ ইফ্ৰয়িমৰ মতলীয়াবোৰৰ
অহঙ্কাৰৰ ৰাজমুকুট ভৰিৰে গচকা হ'ব। ৪ ঘামকালৰ পূৰ্বতে হোৱা
প্ৰথমে পকা যি ডিমৰু গুটিক লোকে দেখামাত্ৰে চকু দিয়ে, আৰু হাতত
পৰিলে গিলি পেলায়, উৰ্ব্বৰা উপত্যকাত মুৰত থকা সুন্দৰ ভূষণস্বৰূপ
তাৰ জয় পৰা ফুলটি, সেই গুটিৰ দৰে হ'ব। ৫ সেই দিনা বাহিনীসকলৰ
যিহোৱা নিজৰ প্ৰজাসকলৰ অৱশিষ্ট ভাগৰ বাবে সুন্দৰ ৰাজমুকুট আৰু
শোভা কৰোঁতা মুকুটস্বৰূপ হ'ব; ৬ বিচাৰ আসনত বহা জনৰ বাবে
ন্যায় বিচাৰৰ আত্মা, আৰু তেওঁলোকৰ দুৱাৰত শত্ৰুবোৰক ঘূৰাই অনা
লোকসকললৈ বল হ'ব। ৭ কিন্তু দ্ৰাক্ষাৰসেৰে ভ্ৰান্ত, আৰু সুৰাপানেৰে
বিপথগামী হৈছে; পুৰোহিত আৰু ভাববাদী সুৰাপানেৰে ভ্ৰান্ত হৈছে,

আৰু তেওঁলোক দ্ৰাক্ষাৰসেৰে নষ্ট হৈছে, সুৰাপানেৰে বিপথগামী হৈছে,
আৰু দৰ্শনত ভ্ৰান্ত হৈছে আৰু বিচাৰত বিচলিত হৈছে। ৮ কিয়নো
আটাই মেজ বঁমিৰে পূৰ হৈ আছে, কোনো পৰিষ্কাৰ স্থান নাই। ৯
তেওঁ কাক জ্ঞান শিকাব? আৰু কাক নো বাৰ্ত্তা বুজাব? গাখীৰ এৰুউৱা
আৰু পিয়াহ খাব নিদিয়া কেঁচুৱাসকলক নে? ১০ কিয়নো আজ্ঞাৰ
উপৰি আজ্ঞা, আজ্ঞাৰ উপৰি আজ্ঞা, নিয়মৰ উপৰি নিয়ম, নিয়মৰ
উপৰি নিয়ম, ইয়াত অলপ তাত অলপ।" ১১ বাস্তৱিকতে, তেওঁ নিন্দক
ওঁঠেৰে, আৰু বিদেশী জিবাৰে তেওঁ এই লোকসকলক কথা ক'ব।
১২ তেওঁ অতীতত তেওঁলোকক কৈছিল, "এয়ে জিৰণি, তোমালোকে
ভাগৰোৱা জনক জিৰণি দিয়া, আৰু এয়ে বিশ্ৰাম;" কিন্তু তেওঁলোকে
শুনা নাছিল। ১৩ সেয়ে তেওঁলোকে গৈ যেন উজুটি খাই চিত হৈ পৰি
ভগ্ন হ'ব, আৰু ফান্দত ধৰা পৰিব, সেই বাবে তেওঁলোকলৈ যিহোৱাৰ
বাক্য "আজ্ঞাৰ উপৰিও আজ্ঞা, "আজ্ঞাৰ উপৰিও আজ্ঞা, নিয়মৰ উপৰি
নিয়ম, নিয়মৰ উপৰি নিয়ম, ইয়াত অলপ তাত অলপ হ'ব।" ১৪
যিৰূচালেমৰ লোকসকলক শাসন কৰা জন হে নিন্দক লোকসকল,
যিহোৱাৰ বাক্য শুনা। ১৫ তোমালোকে কৈছিলা, "আমি মৃত্যুৰ সৈতে
এটি নিয়ম স্থাপন কৰিলোঁ, আৰু চিয়োলৰ সৈতে আমাৰ চুক্তি আছে।
সেয়ে যেতিয়া প্ৰলয় কৰা বিচাৰ মাজেৰে যাব তেতিয়া আমাৰ ওচৰ
নাচাপিব; কিয়নো আমি মিছাক আমাৰ আশ্ৰয়, আৰু ছলক আমাৰ
লুকুৱাৰ ঠাই কৰিলোঁ।" **(Sheol h7585)** ১৬ এই কাৰণে প্ৰভু যিহোৱাই
কৈছে, "চোৱা, মই চিয়োনত ভিত্তিমূলৰ এটা শিল, এটা পৰীক্ষিত
শিল, আৰু দৃঢ়কৈ বহুউৱা চুকৰ এটা বহুমূল্য শিল স্থাপন কৰিলোঁ।
যি জনে বিশ্বাস কৰিব, তেওঁ অধৈৰ্য নহ'ব। ১৭ মই ন্যায় বিচাৰক
পৰিমান-জৰী আৰু ধাৰ্মিকক ওলোম-জৰী কৰিম; তাতে শিলাবৃষ্টিয়ে
সেই মিছা আশ্ৰয় ভাঙি পেলাব, সেই লুকুউৱা স্থানক বানপানীয়ে
তললৈ লৈ যাব। ১৮ মৃত্যুৰ সৈতে কৰা তোমালোকৰ নিয়মটি মচি
পেলুৱা হ'ব, আৰু চিয়োলৰ সৈতে কৰা চুক্তি স্থিৰ নাথাকিব; প্লাৱন
কৰা ধল পানী দেশৰ মাজেদি গ'লে, তোমালোকক তাৰ দ্বাৰাই গচকি
পেলোৱা হ'ব। **(Sheol h7585)** ১৯ সি যিমান বাৰ দেশৰ মাজেদি যাব,

সিমানবাৰ তোমালোকক প্লাবিত কৰিব; কিয়নো সি প্ৰতি ৰাতিপুৱা,
আৰু দিনত ও ৰাতিও দেশৰ মাজেদি যাব, যেতিয়া বাৰ্ত্তাটি বুজিব
তেতিয়া কেৱল আতঙ্ক হ'ব। ২০ কিয়নো মানুহে ভৰি মেলিবলৈ খাট
অতি চুটি আৰু গাত লবলৈ কাপোৰ অতি ঠেক হৈছে।" ২১ যিহোৱাই
নিজৰ কাৰ্য নিজৰ নজনা নুশুনা ব্যাপাৰ, নিজৰ নজনা নুশুনা ব্যপাৰ
সাম্ফল কৰিবলৈ, পৰাচীন পৰ্ব্বতত যেনেকৈ উঠিছিল, তেনেকৈ উঠিব,
আৰু গিবিয়োন উপত্যকাত যেনেকৈ ক্ৰোধ কৰিছিল, তেনেকৈ ক্ৰোধ
কৰিব। ২২ এতিয়া সেই কাৰণে নিন্দা নকৰিবা, বা তোমালোকৰ বান্ধ
শকত হ'ব; কিয়নো মই বাহিনীসকলৰ যিহোৱা প্ৰভুৰ পৰা গোটেই
পৃথিৱীত উচ্ছন্নতাৰ আজ্ঞা শুনিলোঁ। ২৩ তোমালোকে মনোযোগ দি
মোৰ কথা শুনা, মনোযোগী হৈ মোৰ বাক্য শুনা। ২৪ গুটি সিঁচিবলৈ
জানো খেতিয়কে দিনটো হাল বায়? তেওঁ জানো সদায় খলি কাটে
আৰু নিজৰ মাটিৰ চপৰা জানো সদায় ভাঙে? ২৫ মাটি সমান কৰা
পাছত তেওঁ জানো কালজীৰা নবয়, আৰু ভূগ জীৰা নিৰ্সিঁচে? শাৰী
শাৰী কৰি ঘেঁহু আৰু নিৰূপিত ঠাইত যৱ, আৰু তাৰ কিনাৰে কিনাৰে
জনাৰ ধান জানো নবয়? ২৬ তেওঁৰ ঈশ্বৰে তেওঁক শিক্ষা দিয়ে, আৰু
তেওঁ তেওঁক জ্ঞানেৰে শিক্ষা দিয়ে। ২৭ তাৰ উপৰিও, কালজীৰা মৰণা
মৰা যন্ত্ৰেৰে মৰা নাযায়, আৰু ৰথৰ চক্ৰ ভোগজীৰাৰ ওপৰত চলোৱা
নাযায়, কিন্তু কালজীৰা বাৰিৰে, আৰু ভোগজীৰা লাখুটিৰে মৰা যায়।
২৮ পিঠাৰ শস্য গুড়ি কৰিব লগা হয়; কিন্তু সদায় মৰণা মৰাত লাগি
নাথাকে; আৰু তেওঁ তাৰ ওপৰেদি যন্ত্ৰৰ চক্ৰ চলায় হয়, কিন্তু নিজৰ
ঘোঁৰাবোৰেৰে তাক গুড়ি নকৰে। ২৯ যি জনা শিক্ষাত আশ্চৰ্য, আৰু
প্ৰজ্ঞাত মহান, বাহিনীসকলৰ সেই যিহোৱাৰ পৰা এয়াও ওলাইছে।

**২৯** হে অৰিয়েল, হে অৰিয়েল, দায়ুদে ছাউনি পতা নগৰ! বছৰত
বছৰ যোগ দিয়া; উৎসৱৰ পাছত উৎসৱ আহক। ২ কিন্তু মই অৰিয়েলক
অৱৰোধ কৰিম; আৰু তেওঁ শোক আৰু বিলাপ কৰিব, আৰু তেওঁ মোৰ
পক্ষে অৰীয়েলৰ দৰে হ'ব। ৩ মই তোমাৰ বিৰুদ্ধে চাৰিওফালে চাউনি
পাতিম, আৰু লোহাৰ বেৰেৰে তোমাক বেৰি ধৰিম, আৰু তোমাৰ
বিৰুদ্ধে কাম কৰা গড় তুলিম। ৪ তুমি নত হ'বা, ভুমিৰ পৰা কথা

কবা; তোমাৰ বাক্য সৰু হৈ ধুলিৰ পৰা ওলাব। তোমাৰ মাত ভূতৰ
দৰে ভুমিৰ পৰা ওলাব, আৰু তোমাৰ বাক্যৰ অতি দুৰ্বল হৈ ধুলিৰ
পৰা ওলাব। ৫ কিন্তু তোমাৰ আক্ৰমণকাৰীৰ দলসমূহ মিহি ধুলিৰ
দৰে হ'ব, আৰু ভয়ানক লোক সমূহ উৰি যোৱা তুঁহৰ দৰে হ'ব; এই
সকলো অকস্মাতে, চকুৰ প্ৰচাৰতে ঘটিব। ৬ মেঘ-গৰ্জ্জন, ভূমিকম্প,
মহাশব্দ, বা'মৰলী বতাহ, ধুমুহা আৰু সংহাৰক অগ্নিশিখাৰে সৈতে
বাহিনীসকলৰ যিহোৱাৰ দ্বাৰাই দণ্ড দিয়া যাব। ৭ অৰিয়েলৰ বিৰুদ্ধে যি
সকলো জাতি সমূহে যুদ্ধ কৰিব, আৰু তেওঁৰ দৃঢ় কোঁঠৰ বিৰুদ্ধে যুদ্ধ
কৰিব, আৰু তেওঁক ক্লেশ দিব, এই সকলো এটা সপোন, আৰু ৰাতিৰ
এটা দৰ্শনৰ দৰে হ'ব। ৮ যেনেকৈ ক্ষুধাতুৰ মানুহে সপোনত ভোজন
কৰে, কিন্তু সাৰ পালে পেট খালী হৈ থাকে, বা যেনেকৈ তৃষ্ণাতুৰ
মানুহে সপোনত পান কৰে, কিন্তু সাৰ পালে পিয়াহত দুৰ্ব্বল হয়,
আৰু অন্তৰত পিয়াহ লাগে, হয়, তেনেকৈয়ে চিয়োন পৰ্ব্বতৰ বিৰুদ্ধে
যুদ্ধ কৰা সকলো দেশ সমূহ হ'ব। ৯ নিজকে বিস্মিত কৰা, আৰু
বিস্মিত হোৱা! নিজকে অন্ধ কৰা, আৰু অন্ধ হোৱা; মতলীয়া হোৱা,
কিন্তু দ্ৰাক্ষাৰসেৰে নহয়; ঢলং পলং হোৱা, কিন্তু যবসুৰাৰে নহয়;
১০ কিয়নো যিহোৱাই তোমালোকৰ ওপৰত ঘোৰ নিদ্ৰাজনক আত্মা
ঢালি দিলে, তেওঁ তোমালোকৰ ভাববাদীৰূপ চকুবোৰ মুদালে, আৰু
তোমালোকৰ দৰ্শকৰ মূৰ ঢাকিলে। ১১ সকলো দৰ্শন তোমালোকলৈ
চাব মাৰি বন্ধ কৰা এখনি পুথিৰ বাক্যস্বৰূপ; "ইয়াক পাঠ কৰা।"
এই বুলি কৈ জ্ঞানী এজনক সেই পুথি খন দিলে তেওঁ কয়, "মই
নোৱাৰোঁ, কাৰণ এয়ে চাব মাৰি বন্ধ কৰা।" ১২ যদি "ইয়াক পাঠ কৰা,"
এই বুলি কৈ অজ্ঞান এজনক পুথিখন দিয়ে, তেওঁ কয়, "মই পঢ়িব
নাজানো।" ১৩ যিহোৱাই ক'লে, "এই লোকসকলে মোৰ ওচৰলৈ
চাপি নিজৰ নিজৰ মুখেৰে আৰু ওঁঠেৰেহে মোক সন্মান কৰে, কিন্তু
তেওঁলোকৰ অন্তৰ হ'লে মোৰ পৰা দূৰত আছে। তেওঁলোকৰ মোৰ
প্ৰতি থকা সন্মানো মানুহৰ দ্বাৰাই শিকোৱা। ১৪ এই হেতুকে, চোৱা,
মই এই লোকসকলৰ মাজত অদ্ভুত ৰূপে, আৰু এটাৰ পাছত এটা
আচৰিত কাৰ্য কৰি থাকিম, তেওঁলোকৰ জ্ঞানী লোকসকলৰ জ্ঞান

নষ্ট হ'ব, আৰু তেওঁলোকৰ বুদ্ধিমন্ত লোকসকলৰ সুবুদ্ধি লুপ্ত থাকিব।
১৫ যিহোৱাৰ পৰা নিজৰ কল্পনা গভীৰ ভাৱে লুকুৱাব খোজা জনৰ
সন্তাপ হ'ব, আৰু আন্ধাৰত কাৰ্য কৰা জন, তেওঁলোকে কয়, "আমাক
কোনে দেখে? আমাক কোনে জানে?" তেওঁলোকৰ সন্তাপ হ'ব। ১৬
তোমালোকৰ বিষয়সমূহ বিপৰীত দিশে ঘূৰোৱা! কুমাৰ কুমাৰৰ মাটিৰ
সমান বিবেচিত হয় নে? "তেওঁ মোক নিৰ্ম্মাণ কৰা নাই," এই বুলি
নিৰ্ম্মিত বস্তুৱে নিৰ্ম্মণকৰ্ত্তাৰ বিষয়ে ক'ব পাৰে নে? "তেওঁ বুজা নাই,"
গঠিত বস্তুৱে তাৰ গঠনকাৰীৰ বিষয়ে ক'ব পাৰে নে? ১৭ অতি অলপ
সময়, লিবানোন এটা পথাৰত পৰিণত হ'ব, আৰু সেই পথাৰ জংঘললৈ
পৰিণত হ'ব। ১৮ সেই দিনা কলাসকলে পুস্তকখনৰ বাক্য শুনিব,
আৰু অন্ধসকলৰ চকুৱে অন্ধকাৰৰ মাজৰ পৰা দেখিবলৈ পাব। ১৯
নিপীড়িত লোকসকলে পুনৰ যিহোৱাত আনন্দ কৰিব, আৰু দৰিদ্ৰ
লোকসকলৰ মাজত ইস্ৰায়েলৰ পবিত্ৰ ঈশ্বৰ জনাত উল্লাস কৰিব।
২০ কিয়নো নিষ্ঠুৰ লোক লোপ হ'ব, আৰু নিন্দক শেষ হৈছে, আৰু
পাপ কাৰ্য কৰিবলৈ ভাল পোৱা সকলো লোক নিষ্কাশন হ'ব, ২১
যিবোৰে গোচৰত মানুহক অপৰাধী পাতে, নগৰৰ দুৱাৰত প্ৰতিবাদী
জনলৈ ফান্দ পাতে, আৰু মিছা কথাৰে ধাৰ্মিকৰ ন্যায় দূৰ কৰে, সেই
সকলোকে উচ্ছন্ন কৰা হৈছে। ২২ এই হেতুকে অব্ৰাহামৰ মুক্তি দাতা
যিহোৱাই যাকোবৰ বংশৰ বিষয়ে এই কথা কৈছে, এতিয়াৰ পৰা
যাকোব লজ্জিত নহ'ব, আৰু নাইবা তেওঁৰ মুখ বিবৰ্ণ নহ'ব। ২৩ কিন্তু
যেতিয়া তেওঁ মোৰ হাতৰ কাৰ্য নিজৰ সন্তান সকলক দেখিব, তেতিয়া
তেওঁলোকে মোৰ নাম পবিত্ৰ কৰিব; এনে কি, তেওঁলোকে যাকোবৰ
পবিত্ৰ জনাক পবিত্ৰ বুলি মানিব, আৰু ইস্ৰায়েলৰ ঈশ্বৰক ভয় কৰিব।
২৪ ভ্ৰান্ত মনৰ লোকসকলেও বিবেচনা শক্তি পাব, অভিযোগ কৰা
সকলে জ্ঞান শিকিব।"

৩০ "হে সন্তাপ পোৱা বিদ্ৰোহী সন্তান" এইয়া যিহোৱাৰ ঘোষনা।
তেওঁলোকে মোৰ নিৰ্দেশ নমনাকৈ পৰিকল্পনা কৰে, আৰু আন দেশৰ
সৈতে সন্ধি কৰে, কিন্তু মোৰ আত্মাৰ দ্বাৰাই তেওঁলোক পৰিচালিত
নহয়, সেয়ে তেওঁলোকে পাপৰ উপৰি পাপ কৰে। ২ তেওঁলোকে মোৰ

পৰামৰ্শ নোলোৱাকৈ মিচৰলৈ যাবলৈ ওলাইছে। তেওঁলোকে ফৰৌণৰ
পৰা সুৰক্ষা বিছাৰিছে আৰু মিচৰৰ ছাঁত আশ্রয় লৈছে। ৩ সেই বাবে
ফৰৌণৰ সুৰক্ষা তোমালোকক লাজ দিওঁতা হ'ব, আৰু মিচৰৰ ছাঁত
আশ্রয় লোৱাই তোমালোকৰ বাবে অপমান জনক হ'ব। ৪ যদিও
তেওঁলোকৰ প্ৰধান লোকসকল চোৱনত আছে, আৰু তেওঁলোকৰ
বাৰ্তাবাহসকল হানেচলৈ আহিল। ৫ তথাপি তেওঁলোকক সহায় কৰিব
নোৱাৰা লোকসকলৰ কাৰণে তেওঁলোক লজ্জিত হব, যি সহায় কৰা
বা উপকাৰী নহয়, কিন্তু লাজ দিওঁতা আৰু দুৰ্ণামজনকহে হয়।" ৬
দক্ষিণ অঞ্চলৰ পশুবোৰ বিষয়ে কৰা ঘোষণা: মাইকী সিংহ আৰু সিংহ,
কালসৰ্প আৰু জুইৰ দৰে উৰি ফুৰা সৰ্পৰ দ্বাৰা দেশত সঙ্কট আৰু ক্লেশ
হৈছে, তেওঁলোকক সহায় নকৰা জনলৈ তেওঁলোকে গাধবোৰৰ পিঠিত
ধন-সম্পত্তি, আৰু উটবোৰৰ কুঁজত বহুমুল্য বস্তু তুলি লৈ গৈছে। ৭
মিচৰীয়াসকলৰ সহায় অৰ্থহীন, সেই বাবে মই তেওঁলোকক ৰাহব বুলি
মাতিলোঁ, যি সকলে এতিয়াও বহি আছে। ৮ এতিয়া যোৱা, সেই কথা
তেওঁলোকৰ সন্মুখত ফলিত লিখা, আৰু নুৰীয়া পুথিত তালিকাভুক্ত
কৰা, ভবিষ্যতলৈ যাতে সাক্ষ্য হ'ব পাৰে সেই বাবে এই সমূহ সংৰক্ষিত
কৰি ৰাখা। ৯ কিয়নো এওঁলোক বিদ্ৰোহী, আৰু মিছলীয়া সন্তান,
এওঁলোক যিহোৱাৰ শিক্ষা নুশুনা সন্তান। ১০ তেওঁলোকে দৰ্শনকাৰী
সকলক কয়, "দৰ্শন নাচাবা;" আৰু ভাববাদীসকলক কয়, "আমালৈ
সত্যবাক্যৰ যথাৰ্থ ভাববাণী নকবা; আমাৰ আগত খুচামোদি বাক্য
কোৱা মায়াযুক্ত ভাববাণী কোৱা। ১১ গতিপথৰ পাৰ ঘূৰি আহাঁ, পথৰ
পৰা ঘূৰি আহাঁ; ইস্ৰায়েলৰ পবিত্ৰ ঈশ্বৰ জনাক আমাৰ চকুৰ আগৰ
পৰা দূৰ কৰা।" ১২ এই হেতুকে ইস্ৰায়েলৰ পবিত্ৰ ঈশ্বৰ জনাই কৈছে,
"তোমালোকে এই বাক্য হেয়জ্ঞান কৰিছা, আৰু উপদ্ৰৱ আৰু বিপৰীত
আচৰণত বিশ্বাস কৰি তাৰ ওপৰত নিৰ্ভয় কৰিছা; ১৩ সেয়ে যাৰ
পতন অকস্মাতে মুহূৰ্ত্ততে হ'ব, ভগ্ন অংশ আৰু ওখ দেৱালৰ স্ফিত
অংশ পৰিবলৈ প্ৰস্তুত হোৱাৰ দৰে, এই পাপ তোমালোকলৈ হ'ব।"
১৪ কুমাৰৰ পাত্ৰ ভঙাৰ দৰে তেওঁ তাক ভাঙিব; অলপো নৰখাকৈ
তাক ডোখৰ ডোখৰ কৈ ভাঙিব; তাতে জুইশালৰ পৰা জুই লবলৈ, বা

চৌবাচ্চা পৰা পানী তুলিবলৈ তাৰ টুকুৰাবোৰৰ মাজৰ এডোখৰো পোৱা
নাযাব। ১৫ কিয়নো ইস্ৰায়েলৰ পবিত্ৰ ঈশ্বৰ যিহোৱাই এইদৰে কৈছিল,
“মোলৈ ঘূৰি আহিলে আৰু বিশ্ৰাম ল’লে তোমালোকে পৰিত্ৰাণ পাবা,
নিৰৱতাত আৰু বিশ্বাসত তোমালোকৰ শক্তি হ’ব, কিন্তু তোমালোকে
ইচ্ছা নকৰিলা। ১৬ তোমালোকে ক’লা, “নহয়; কাৰণ আমি ঘোঁৰাত
পলাই যাম;’ সেয়ে তোমালোকো পলাবা; আৰু আমি বগী ঘোঁৰাত
উঠি যাম, সেয়ে তোমালোকক খেদি যোৱাসকলো বেগী হ’ব। ১৭
এজনৰ ভয় প্ৰদৰ্শনত এক হাজাৰ জন পলাই যাব, আৰু পাঁচজনৰ ভয়
প্ৰদৰ্শনত তোমালোক পলাবা; যেতিয়ালৈকে তোমালোকৰ অৱশিষ্ট
ভাগ পৰ্ব্বতৰ টিঙত থকা পতাকা দণ্ড, আৰু পৰ্ব্বতৰ ওপৰত থকা
পতাকাৰ দৰে হ’ব।” ১৮ তথাপিও যিহোৱাই তোমালোকক দয়া
কৰিবলৈ অপেক্ষা কৰিব, সেই বাবে তেওঁ তোমালোকক অনুগ্ৰহ
কৰিবলৈ উন্নত হব। কাৰণ যিহোৱা ন্যায় বিচাৰ কৰা ঈশ্বৰ, যি
সকলে তেওঁলৈ অপেক্ষা কৰে, তেওঁলোক সৌভাগ্যশীল। ১৯ কিয়নো
লোকসকল যিৰূচালেমৰ চিয়োনত বাস কৰিব; সেয়ে তোমালোকে
আৰু নাকান্দিবা। তোমালোকৰ কাতৰোক্তিৰ শব্দ শুনি তেওঁ অৱশ্যে
তোমালোকক দয়া কৰিব। শুনা মাত্ৰকেই তেওঁ তোমালোকক উত্তৰ
দিব। ২০ যদিও প্ৰভুৱে তোমালোকক সঙ্কটযুক্ত আহাৰ, আৰু ক্লেশযুক্ত
জল দিয়ে, তথাপি তোমালোকৰ শিক্ষকসকল আৰু লুকাই নাথাকিব,
কিন্তু তোমালোকে নিজৰ চকুৰে শিক্ষকসকলক দেখিবলৈ পাব।
২১ যেতিয়া তোমালোকে সোঁফালে কি বাঁওফালে ঘুৰিবা, তেতিয়া
তোমালোকৰ কাণে তোমালোকৰ পাছফালে কোৱা বাক্য শুনিবলৈ
পাব, “এয়ে পথ, এই পথে চলা,” ২২ তোমালোকে নিজৰ কটা-মূৰ্ত্তিত
মৰা ৰূপৰ আৰু সোনৰ পতা অশুচি কৰিবা, তোমালোকে তাক অশুচি
বস্তু দৰে পেলাই দি ক’বা, “ইয়াৰ পৰা দূৰ হোৱা।” ২৩ তোমালোকে
যেতিয়া মাটিত গুটি সিঁচিবা, তেতিয়া তেওঁ তোমালোকৰ গুটিৰ অৰ্থে
বৰষুণ দিব; আৰু তেওঁ ভুমিৰ পৰা অধিকপৰিমানে আহাৰ দিব।আৰু
শষ্য প্ৰচুৰপৰিমানে হ’ব। সেই দিনা তোমালোকৰ পশুৰ জাকবোৰে
বহল পথাৰত চৰিব। ২৪ মাটি চাহ কৰা ষাঁড়গৰু আৰু গাধবোৰেও,

বেলচা আৰু কুলাৰে সৈতে জাৰা পুৰঠ দানা খাব ২৫ মহাহত্যাৰ দিনা
যেতিয়া ওখ দুৰ্গবোৰ ভাগি পৰিব তেতিয়া প্ৰত্যেক উচ্চ পাহাৰৰ
ওপৰত আৰু প্ৰত্যেক ওখ পৰ্ব্বতৰ ওপৰত নৈ আৰু পানীৰ জুৰি হ'ব।
২৬ যি দিনা যিহোৱাই তেওঁৰ লোকসকলৰ ভগা অঙ্গ জোৰা দিব, আৰু
প্ৰহাৰত লগা ঘা সুস্থ কৰিব, সেই দিনা চন্দ্ৰৰ পোহৰ সূৰ্যৰ পোহৰৰ দৰে
হ'ব, আৰু সূৰ্যৰ পোহৰ সাত গুণে অধিক হব, আৰু সাত দিনৰ পোহৰৰ
দৰে হ'ব। ২৭ চোৱা, যিহোৱাৰ নাম দূৰৈৰ পৰা আহিছে; তেওঁৰ
ক্ৰোধাগ্নি জ্বলিছে; ওপৰলৈ উঠা তেওঁৰ ধুৰাঁৰাশি অতি ডাঠ; তেওঁৰ
ওঁঠ ক্ৰোধেৰে পৰিপূৰ্ণ, আৰু তেওঁৰ জিভা গ্ৰাস কৰোঁতা অগ্নিস্বৰূপ।
২৮ তেওঁৰ প্ৰশ্বাস-বায়ু প্লাৱিত হোৱা বন্যাৰ দৰে সেয়া ডিঙিৰ মাজ
ভাগলৈকে উঠে, লোকসকলক ধ্বংসৰ চালনিৰে চালি নিৰ্বাচন কৰিব।
তেওঁৰ প্ৰশ্বাস-বায়ু লোকসকলৰ মুখত ভ্ৰান্তিজনক লাগাম হ'ব। ২৯
পবিত্ৰ ভোজ পালন কৰা ৰাতিৰ গীতৰ দৰে তোমালোকৰ গীত হ'ব,
যিহোৱাৰ পৰ্ব্বতলৈ, ইস্ৰায়েলৰ শিলালৈ বাঁহী বজাই যোৱাৰ দৰে
তোমালোকৰ মনত আনন্দ হ'ব। ৩০ যিহোৱাই নিজৰ জলন্ত ক্ৰোধেৰে
আৰু গ্ৰাস কৰোঁতা অগ্নিশিখাৰে, প্ৰচণ্ড বতাহ আৰু ধুমুহাৰে, আৰু
শিলাবৃষ্টিৰে, তেওঁ নিজৰ মহিমান্বিত স্বৰ শুনাব, আৰু নিজৰ বাহু
লৰচৰ কৰি দেখুৱাব। ৩১ কিয়নো যি অচুৰে দণ্ডৰে আঘাত কৰিছিল,
এনে অচূৰ যিহোৱাৰ মাতত অচূৰ ভাগি ডোখৰ ডোখৰ হ'ব, তেওঁ
তেওঁলোকক দণ্ডেৰে প্ৰহাৰ কৰিব। ৩২ যিহোৱাই প্ৰত্যেক নিৰূপিত
দণ্ড তেওঁলোকৰ ওপৰত পেলাব, তেওঁ তেওঁলোকৰ সৈতে খঞ্জৰী আৰু
বীণাৰে যুদ্ধ আৰু বিবাদ কৰিব, ৩৩ কাৰণ জলন্ত ঠাই এখন পূৰ্বৰে
পৰা তৈয়াৰ কৰা আছে। বাস্তৱিকতে এইটো ৰজাৰ বাবে প্ৰস্তুত; আৰু
ঈশ্বৰে তাক দ আৰু বহল কৰিলে। জুই আৰু অধিক খৰিৰে স্তূপ প্ৰস্তুত
আছে। গন্ধক প্ৰবাহিত হোৱাৰ দৰে যিহোৱাৰ নিঃশ্বাসে ইয়াক জ্বলাব।

**৩১** যি সকলে সহায়ৰ বাবে মিচৰলৈ নামি যায়, আৰু ঘোঁৰাবোৰত
ভাৰসা কৰে, তেওঁলোকৰ সন্তাপ হ'ব; তেওঁলোকে ৰথত আৰু
অশ্বাৰোহীত ভাৰসা কৰে কিন্তু তেওঁলোক ইস্ৰায়েলৰ পবিত্ৰ ঈশ্বৰ
জনাৰ প্ৰতি উদ্বিগ্ন নহয়, নাইবা যিহোৱাৰ ওচৰলৈ নাযায়। ২ তথাপি

তেওঁ জ্ঞানবান, তেওঁ দুৰ্যোগ ঘটাব, আৰু নিজৰ বাক্য প্ৰত্যাহাৰ
নকৰিব। কিন্তু কুকৰ্মীবোৰৰ বংশৰ বিৰুদ্ধে আৰু পাপ কাৰ্য কৰিবলৈ
সহায় কৰা সকলকৰ বিৰুদ্ধে তেওঁ উঠিব। ৩ মিচৰীয়াসকল মানুহ
মাথোন, ঈশ্বৰ নহয়; ঘোঁৰাবোৰো মাংস মাত্ৰ, আত্মা নহয়। যিহোৱাই
যেতিয়া নিজৰ হাত মেলিব; তেতিয়া সহায় কৰা জনে উজুটি খাব,
আৰু সহায় পোৱা জনেও পতিত হ'ব; দুয়ো একে লগে বিনষ্ট হ'ব।
৪ কিয়নো যিহোৱাই মোক এই দৰে কৈছে, যেনেকৈ সিংহ, অথবা
যুবা সিংহই ধৰা পশুৰ ওপৰত গুজৰি থাকোঁতে, যেতিয়া তাৰ বিৰুদ্ধে
মেৰখীয়া সকলক মাত দিয়ে, কিন্তু তেওঁলোকৰ মাতত সি ভয়
নকৰে, নাইবা তাৰ শব্দৰ পৰিৱৰ্তন নহয়, তেনেকৈ বাহিনীসকলৰ
যিহোৱাই যুদ্ধ কৰিবলৈ চিয়োন পৰ্ব্বত আৰু তাৰ পাহাৰৰ ওপৰলৈ নামি
আহিব। ৫ জাক পাতি উৰি ফুৰা চৰাইৰ দৰে বাহিনীসকলৰ যিহোৱাই
যিৰূচালেমক ৰক্ষা কৰিব, তেওঁ ৰক্ষা কৰিব আৰু ইয়াক অতিক্ৰম
কৰি যাওঁতে উদ্ধাৰ কৰিব আৰু সংৰক্ষন কৰিব। ৬ হে ইস্ৰায়েলৰ
লোকসকল, তোমালোকে যি জনালৈ অতিশয় ভাবে পিঠি দিছিলা,
সেই জনালৈ উভটি আহাঁ। ৭ কাৰণ সেই দিনা তোমালোক প্ৰতিজনে
পাপেৰে সৈতে নিজৰ হাতেৰে নিৰ্মাণ কৰা ৰূপ আৰু সোণৰ মূৰ্ত্তিবোৰ
পেলাই দিবা। ৮ সেই সময়ত অচুৰীয়া লোক তৰোৱালৰ দ্বাৰাই পতিত
হ'ব, আৰু মানুহৰ দ্বাৰাই চালিত নোহোৱা তৰোৱালে তেওঁক গ্ৰাস
কৰিব। তেওঁ তৰোৱালৰ পৰা পলাব, আৰু তেওঁৰ যুবকসকলক কঠিন
পৰিশ্ৰম কৰিবলৈ বাধ্য কৰাব। ৯ যি জনাৰ অগ্নি চিয়োনত, আৰু যি
জনাৰ অগ্নিকুণ্ড যিৰূচালেমত আছে, সেই যিহোৱাই কৈছে, তেওঁলোকে
ভয়াবহ অৱস্হাৰ কাৰণে আত্মবিশ্বাস হেৰুৱাব, আৰু তেওঁলোকৰ
সেনাপতিসকলে যিহোৱাৰ যুদ্ধৰ নিচানলৈ ভয় কৰিব।"

৩২ চোৱা, এজন ৰজাই ধাৰ্মিকতাৰে ৰাজত্ব কৰিব, আৰু
শাসনকৰ্তাসকলে ন্যায়বিচাৰেৰে শাসন কৰিব। ২ খৰাং ঠাইত পানীৰ
সোঁতৰ দৰে, আৰু পৰিশ্ৰান্ত দেশত বৃহৎ শিলৰ ছাঁৰ দৰে, তেওঁলোক
প্ৰতিজনে বতাহৰ পৰা আশ্ৰয়, আৰু ধুমুহাৰ পৰা নিৰাপতা পাব, ৩
তেতিয়া চকুৰে দেখা পোৱা সকলৰ চকু অস্পষ্ট নহ'ব, আৰু কাণেৰে

শুনা সকলে মনোযোগেৰে শুনিব; ৪ অবিবেচক সকলে সাৱধানেৰে
বিবেচনাৰে কৰিব, আৰু খুনাসকলে সহজে স্পষ্টকৈ কথা ক'ব। ৫ মূৰ্খ
লোকক সন্মানীয় বুলি আৰু মতা নহ'ব, নাইবা প্ৰবঞ্চকলোকক নিয়ম
নীতি মানি চলা বুলি কোৱা নহ'ব। ৬ কিয়নো অপবিত্ৰ কাৰ্য কৰিবলৈ,
যিহোৱাৰ বিৰুদ্ধে ভ্ৰান্তিজনক কথা কব, ক্ষুধাতুৰ পেট শুদা ৰাখিব, আৰু
তৃষ্ণাতুৰৰ পানীৰ অভাৱ কৰাব, কাৰণ মুৰ্খই মুৰ্খতাৰ কথা ক'ব, আৰু
তেওঁৰ হৃদয়েৰে অধৰ্ম চিন্তা কৰিব। ৭ প্ৰবঞ্চকলোকৰ প্ৰণালী মন্দ।
তেওঁ নীতিহীন পদ্ধতিৰ পৰিকল্পনা কৰে, দুখীয়াই সঁচা কথা ক'লেও
দুখীয়ালোকক মিছা কথাৰে ধ্বংস কৰিব। ৮ কিন্তু সন্মানীয় লোকে সৎ
বিষয়ৰৰ পৰিকল্পনা কৰে, আৰু তেওঁৰ সৎ কাৰ্যৰ কাৰণে তেওঁ থিৰে
থাকিব। ৯ হে নিশ্চিন্তে থকা মহিলাসকল, উঠা, আৰু মোৰ কথা শুনা;
হে চিন্তা-ভাবনা নকৰা যুৱতীসকল, মোৰ বাক্য শুনা। ১০ হে দায়িত্বহীন
মহিলা, এবছৰ হৈ কিছু দিন গ'লে তোমালোকৰ আত্মবিশ্বাস চূৰ্ণ বিচূৰ্ণ
হ'ব, কাৰণ দ্ৰাক্ষাক্ষেত্ৰ নষ্ট হ'ব, ফল চপোৱা সময় নাহিব। ১১ হে
নিশ্চিন্তে থকা মহিলা কম্পিত হোৱা; হে আত্মবিশ্বাসী কম্পমান হোৱা,
উত্তম বস্ত্ৰ সোলোকাই বিবস্ত্ৰ হোৱা, আৰু কঁকালত চট বান্ধা। ১২
তোমালোকে মনোহৰ খেতি, আৰু ফলৱতী দ্ৰাক্ষালতাৰ বাবে বিলাপ
কৰিবা। ১৩ মোৰ লোকসকলৰ ভুমি, এনে কি, এটা সময়ত ৰং-
ৰহইচেৰে আনন্দত থকা ঘৰবোৰৰ বাৰীত, কাঁইটিয়া বন আৰু কাঁইট
গছৰে ভৰি পৰিব। ১৪ কাৰণ ৰাজপ্ৰসাদ পৰিত্যাগ হ'ব, ঘনবসতিপূৰ্ণ
নগৰ মৰুভূমি হ'ব, পাহাৰ আৰু পৰীয়া ঘৰ সৰ্ব্বকাললৈ গুহাস্বৰূপ
হ'ব, বনৰীয়া গাধৰ ধেমালি কৰা ঠাই, পশুৰ জাকবোৰ চৰা ঠাই
হ'ব। ১৫ ওপৰৰ পৰা আমাৰ ওপৰত ঈশ্বৰৰ আত্মা বাকী নিদিয়া
পৰ্যন্ত, মৰুপ্ৰান্তৰ ফলৱতী উদ্যান নোহোৱালৈকে, আৰু ফলৱতী উদ্যান
অৰণ্য বুলি গণিত নোহোৱালৈকে তেনে অৱস্থাতে থাকিব। ১৬ তাৰ
পাছত সেই মৰুপ্ৰান্তত ন্যায়বিচাৰ বাস কৰিব, আৰু সেই ফলৱতী
উদ্যানত ধাৰ্মিকতাই বসতি ল'ব। ১৭ ধাৰ্মিকতাৰ কাৰ্যৰে শান্তিৰ হ'ব,
আৰু ধাৰ্মিকতাৰ ফল চিৰকাললৈ সুস্থিৰ আৰু বিশ্বাসযোগ্য হ'ব। ১৮
মোৰ লোকসকলে শান্তিপূৰ্ণ বাসস্থানত, নিৰাপত্তাহীন ঘৰবোৰত, আৰু

শান্তিপূৰ্ণ বিশ্ৰামৰ ঠাইবোৰত বাস কৰিব। ১৯ কিন্তু তথাপিও যদি
শিলাবৃষ্টি হয়, অৰণ্য ধ্বংস হ'ব, আৰু নগৰবোৰ সম্পূৰ্ণৰূপে বিলুপ্ত
হ'ব। ২০ জল সমূহৰ কাষত বীজ সিঁচা সকলে, আৰু ষাঁড় গৰু আৰু
গাধক চৰিবলৈ এৰি দিয়া সকলে সকলোৱে আশীৰ্বাদপ্ৰাপ্ত হ'ব।

৩৩ নিজৰ ধ্বংস নোহোৱাকৈ ধ্বংস কৰা যি তুমি! বিশ্বাসঘাতকতা
নোহোৱাকৈ বিশ্বাসঘাতকতা কৰা যি তুমি, তোমাৰ সন্তাপ হ'ব! যেতিয়া
তুমি ধ্বংস কৰিব এৰিবা তেতিয়া তোমাৰ ধ্বংস হ'ব। যেতিয়া তুমি
বিশ্বাস ঘাতকতা কৰিব এৰিবা, তেতিয়া তেওঁলোকে তোমাক বিশ্বাস
ঘাতকতা কৰিব। ২ হে যিহোৱা আমাক দয়া কৰক; আমি আপোনালৈ
বাট চাই আছোঁ; প্ৰতি ৰাতিপুৱাতে আপুনি আমাৰ বাহুস্বৰূপ হয়,
সঙ্কটৰ সময়ত আপুনি আমাৰ পৰিত্ৰাণকৰ্ত্তা হয়। ৩ কোলাহল শব্দত
লোক সমূহ পলাব; আপুনি যেতিয়া উঠিব তেতিয়া জাতিবোৰ চিন্ন ভিন্ন
হ'ব। ৪ কাকতী ফৰিঙে গোটোৱাৰ দৰে তোমাৰ ধ্বংস গোটোৱা হ'ব,
ফৰিংবোৰে জপিওৱাৰ দৰে তাৰ ওপৰত লোকসকলে জাঁপ দিব।
৫ যিহোৱা উন্নত, তেওঁ উৰ্দ্ধলোকত বাস কৰে; তেওঁ চিয়োনক ন্যায়
বিচাৰেৰে আৰু ধাৰ্মিকতাৰে পৰিপূৰ্ণ কৰিব। ৬ তোমালোকৰ সময়ত
তেওঁ স্থায়ীভাৱে থাকিব, পৰিত্ৰাণ, জ্ঞান, আৰু বুদ্ধি প্ৰচুৰ পৰিমাণে
হ'ব; যিহোৱা বিষয়ক ভয়েই তেওঁৰ পৰমধন। ৭ চোৱা, তেওঁলোকৰ
কটকীসকলে বাটত চিঞৰিছে; কুটনীতিজ্ঞ সকলে শান্তিৰ কাৰণে
আশা কৰি মনোবেদনাত কান্দিছে। ৮ ৰাজপথবোৰ জনপ্ৰানীহীন হ'ল,
তাত যাত্ৰীসকল নোহোৱা হ'ল। চুক্তিবোৰ ভঙা হ'ল, সাক্ষ্যবোৰক
অৱজ্ঞা কৰা হ'ল, আৰু নগৰবোৰক অসন্মানিত কৰা হ'ল। ৯ দেশে
শোক কৰিছে আৰু নষ্ট হৈছে; লিবানোনে বিবুদ্ধিত পৰিছে আৰু
জঁই পৰিছে; চাৰোণ মৰুভূমিৰ দৰে হৈছে; বাচান আৰু কৰ্মিলে পাত
সৰাইছে। ১০ যিহোৱাই কৈছে, "এতিয়াই মই উঠিম, এতিয়াই মই
উন্নত হ'ম, এতিয়াই মই উন্নীত হ'ম। ১১ তোমালোকে তুঁহ গৰ্ভধাৰণ
কৰিবা, আৰু তোমালোকে নৰা প্ৰসৱ কৰিবা, তোমালোকৰ নিঃশ্বাস-
প্ৰশ্বাস জুই সেয়ে তোমালোকক গ্ৰাস কৰিব। ১২ কাঁটিয়া জোপোহা
কাটি জুইত পোৱাৰ দৰে লোকসকল জ্বলি চূণ হ'ব। ১৩ তোমালোক

যি সকল দূৰৈত আছা, মই কৰা কাৰ্যৰ কথা শুনা; আৰু তোমালোক
যি সকল ওচৰত আছা, মোৰ পৰাক্ৰম স্বীকাৰ কৰা।” ১৪ চিয়োনত
থকা পাপীবোৰে ভয় কৰিছে; অধৰ্মি জনক কঁপনিয়ে ধৰিছে। আমাৰ
মাজৰ কোনে গ্ৰাসকৰী অগ্নিয়ে সৈতে বাস কৰিব পাৰে? আমাৰ
মাজৰ কোনে অনন্ত কাললৈকে জ্বলি থকা জুইৰে সৈতে বাস কৰিব
পাৰে? ১৫ যি জনে ধাৰ্মিকতাৰ পথত চলে, আৰু ন্যায় কথা কয়, যি
জনে অত্যাচাৰ কৰি পোৱা লাভ ঘিণ কৰে, যি জনে ভেটি ল’বলৈ
অস্বীকাৰ কৰে, যি জনে চৰম অপৰাধৰ আচনি নকৰে, আৰু কুকৰ্মলৈ
চকু নিদিয়ে। ১৬ সেই জনে নিজৰ ঘৰ উচ্চস্থানত স্থাপন কৰিব; তেওঁৰ
প্ৰতিৰক্ষাৰ স্থান শিলৰ দুৰ্গ হ’ব; তেওঁৰ আহাৰ আৰু পানী দৃঢ়ভাবে
সৰবৰাহ হ’ব। ১৭ তুমি নিজ চকুৰে ৰজাক তেওঁৰ সুন্দৰ অৱস্থাত থকা
দেখিবা, তেওঁলোকে বিশাল দেশ দেখিব। ১৮ তোমাৰ মনে হৈ যোৱা
সঙ্কটৰ বিষয়ে ভাবিব; লিখক ক’ত, ধন জুখা জন ক’ত? কোঁঠবোৰ
গণনা কৰা জন ক’ত আছে? ১৯ তুমি বুজিব নোৱাৰা অপৰিচিত ভাষা
কোৱা, অবাধ্য মানুহ আৰু দেখিবলৈ নাপাবা। ২০ আমাৰ উৎসৱ
নগৰ চিয়োনলৈ তুমি দৃষ্টি কৰা; যাৰ খুটি কেতিয়াও উঘালিব নোৱাৰি,
যাৰ ৰছী কেতিয়াও নিছিগে, স্থানান্তৰ কৰিব নোৱাৰা এনে তম্বুস্বৰূপ
শান্ত বাসস্থান যিৰূচালেমক তোমাৰ নিজৰ চকুৰে দেখিবা। ২১ তাৰ
পৰিবৰ্তে, বহল নদীবোৰত আৰু সুঁতীবোৰত মহান যিহোৱা আমাৰ
সৈতে থাকিব। তাত বঠাৰে চলোৱা যুদ্ধ জাহাজ, আৰু প্ৰকাণ্ড জাহাজ
নচলিব। ২২ কিয়নো যিহোৱা আমাৰ বিচাৰকৰ্ত্তা, আমাৰ ব্যৱস্থাপক,
আৰু আমাৰ ৰজা; তেৱেঁই আমাক পৰিত্ৰাণ কৰিব। ২৩ তোমাৰ
পালবোৰ ঢিলা হৈ পৰিছে, সিহঁতে মাস্তুল থিৰকৈ ধৰি ৰাখিব নোৱাৰে,
সিহঁতে পাল তৰিব নোৱাৰে; সেই কালত অনেক লুটদ্ৰব্য ভাগ বাটি
দিয়া হ’ল, লেঙেৰায়ো লুটদ্ৰব্য নিলে। ২৪ “মই অসুস্থ,” এই বুলি
বাসিন্দা সকলে নক’ব, তাত থকা লোকসকলৰ অপৰাধ ক্ষমা কৰা
হ’ব।

**৩৪** হে জাতি সমূহ ওচৰলৈ আহা আৰু শুনা, হে লোক সমূহ মনোযোগ
দিয়া! পৃথিৱী আৰু ইয়াক পৰিপূৰ্ণ কৰা সকলোৱে, জগত আৰু তাৰ

পৰা উৎপন্ন হোৱা সকলোৱে অৱশ্যে শুনক। ২ কাৰণ সকলো জাতিৰ
বিৰুদ্ধে যিহোৱাৰ ক্ৰোধ আছে, আৰু তেওঁলোকৰ সকলো সৈন্যৰ
বিৰুদ্ধে তেওঁ অগ্নিশৰ্মা; তেওঁ তেওঁলোকক সম্পূৰ্ণ ভাবে ধ্বংস কৰিব,
বধ কৰিবলৈ তেওঁ তেওঁলোকক প্ৰাণীহত্যা কাৰীৰ হাতত শোধাই দিব।
৩ তেওঁলোকৰ নিহত সকলক মৈদাম নিদিয়াকৈ থ’ব; তেওঁলোকৰ
মৰা শৰবোৰৰ পৰা চাৰিও ফালে দুৰ্গন্ধ হ’ব, তেওঁলোকৰ তেজেৰে
পৰ্ব্বতবোৰ ভিজিব। ৪ আকাশৰ সকলো তৰাবোৰ অদৃশ্য হৈ যাব,
আৰু নুৰিওৱা পুথিৰ দৰে আকাশক নুৰিওৱা হ’ব; আৰু তাৰ সকলো
তৰা অদৃশ্য হ’ব, দ্ৰাক্ষালতাৰ পৰা পাত লেৰেলি সৰি পৰাৰ দৰে, আৰু
বেচিকৈ পকা ডিমৰু যি দৰে ডিমৰু গছৰ পৰা সৰি পৰে, ৫ কাৰণ
যেতিয়া মোৰ তৰোৱালে স্বৰ্গত পূৰ্ণ হোৱাকৈ তেজ পান কৰিব; চোৱা,
এইটো এতিয়া ইদোমৰ ওপৰলৈ আহিব, সেই লোকসকললৈ মই ধ্বংস
কৰিবলৈ পঠিয়াম। ৬ যিহোৱাৰ তৰোৱাল তেজেৰে টোপাটোপে পৰা,
আৰু চৰ্বিৰে আবৃত, ভেৰা আৰু ছাগলীবোৰৰ তেজেৰে টোপাটোপে
পৰা, মতা ভেড়া ছাগলীৰ মুত্ৰাশয়ৰ চৰ্বিৰে আবৃত। কাৰণ যিহোৱাই
বস্রা নগৰত বলিদান কৰিছে আৰু ইদোম দেশত মহাহত্যা হৈছে। ৭
তেওঁলোকৰ সৈতে ভতৰা গৰুও হত্যা কৰা হ’ব আৰু কম বয়সীয়া
ভতৰা গৰুৰ সৈতে বুঢ়া গৰুও। তেওঁলোকৰ দেশ তেজেৰে মাতাল হ’ব,
আৰু তেওঁলোকৰ ধুলি চৰ্বিৰে চৰ্বিযুক্ত হ’ব। ৮ কাৰণ এইয়ে যিহোৱাৰ
প্ৰতিশোধ লোৱা দিন হ’ব, চিয়োনৰ অৰ্থে পোনৰ প্ৰতিফল দিয়া বছৰ
হ’ব। ৯ ইদোমৰ নৈবোৰ আলকতৰালৈ পৰিণত হ’ব, তাইৰ ধূলিবোৰ
গন্ধক হ’ব, আৰু তাইৰ দেশ প্ৰজ্বলিত আলকতৰা হ’ব। ১০ সেয়ে
দিনে ৰাতিয়ে জ্বলিব; চিৰকাললৈ ইয়াৰ ধোঁৱা উঠিব; পুৰুষানুক্ৰমে
ই অনুৰ্বৰ হৈ থাকিব; কোনেও তাৰ মাজেদি চিৰকাললৈকে নাযাব।
১১ কিন্তু বনৰীয়া চৰাই আৰু পশু তাত বাস কৰিব, ফেঁচা আৰু ঢোঁৰা
কাউৰীয়ে তাত বাহ সাজিব। তেওঁ তাৰ ওপৰত ধ্বংসৰ পৰিমাণ-জৰী
আৰু ওলোম সূতা বিস্তাৰ কৰিব। ১২ তাইৰ প্ৰধান লোকসকলৰ ৰাজ্য
বুলি কবলৈ একো নথাকিব, আৰু তাইৰ ৰাজকুমাৰসকলৰ কাকো
নাথাকিব। ১৩ তাইৰ ৰাজপ্ৰসাদবোৰ কাঁইটে ছাটি ধৰিব, চোৰাত গছ

আৰু কাঁইটীয়া জাৰণি তাইৰ দুৰ্গ হ'ব। এইয়া শিয়ালৰ বসতি স্থান আৰু
উট পক্ষীৰ কাৰণে ঠাই হ'ব। ১৪ বনৰীয়া জন্তু আৰু ৰাংকুকুৰে তাত
লগ হ'ব, আৰু বনৰীয়া ছাগলীয়ে ইটোৱে সিটোৰ বাবে চিঞৰিব।
সেই ঠাইত নিশাচৰ জন্তুৱে নিবাস কৰিব, আৰু নিজৰ বাবে বিশ্ৰামৰ
ঠাই বিচাৰি পাব। ১৫ ফেঁচাই বাহ সাজি, কণী উমনি দি পোৱালি
জগাব, আৰু পোৱালবোৰক সুৰক্ষা দিব। হয় সেই ঠাইত প্ৰতিজনী
শেন চৰাইয়ে নিজৰ সঙ্গীৰ সৈতে গোট খাব। ১৬ যিহোৱাৰ নুৰিয়া
পুথিত একাদিক্ৰমে বিচাৰা; ইয়াৰ এটাৰো অভাব নহ'ব। সঙ্গী বাবে
কাৰো অভাৱ নহ'ব, কাৰণ যিহোৱাই নিজৰ মুখেৰে এই আদেশ
দিলে, আৰু তেওঁৰ আত্মাই সিহঁতক গোটালে। ১৭ তেওঁ সিহঁতৰ বাবে
চিঠি খেলালে, আৰু সিহঁতৰ বাবে তেওঁ নিজৰ হাতেৰে পৰিমাণ-জৰীৰ
দ্বাৰাই তাক ভাগ বাটি দিলে। সিহঁতে তাক সদাকালৰ বাবে অধিকাৰ
কৰিব, পুৰুষানুক্ৰমে তাত বাস কৰিব।

৩৫ মৰুপ্ৰান্ত আৰু নিৰ্জন ঠাইবোৰ আনন্দিত হ'ব, আৰু গোলাপ
ফুলৰ দৰে, মৰুভূমি ফুল ফুলিব আৰু প্ৰফুল্লিত হ'ব। ২ প্ৰচুৰ পৰিমানে
ফুলিব, আনন্দ আৰু গানেৰে সৈতে উল্লাসিত হ'ব; লিবানোনৰ গৌৰৱ,
কৰ্মিল আৰু চাৰোণৰ মহিমা তাক দিয়া হ'ব; তেওঁলোকে যিহোৱাৰ
গৌৰৱ, আৰু আমাৰ ঈশ্বৰৰ জ্যোতি দেখিবলৈ পাব। ৩ তোমালোকে
দুৰ্ব্বল হাত সবল কৰা, আৰু কঁপা আঠু সুস্থিৰ কৰা। ৪ ভয়াতুৰ মনৰ
লোকক কোৱা, "শক্তিশালী হোৱা, ভয় নকৰিবা! চোৱা, তোমালোকৰ
ঈশ্বৰ প্ৰতিকাৰৰ সৈতে, প্ৰতিফল দিবলৈ আহিব; তেওঁ আহিব আৰু
তোমালোকক উদ্ধাৰ কৰিব।" ৫ তেতিয়া অন্ধসকলে চকুৰে দেখিব,
আৰু কাণেৰে নুশুনাসকলে কাণেৰে শুনিব, ৬ সেই সময়ত খোৰাসকলে
হৰিণীৰ দৰে জাঁপ মাৰিব, আৰু বোবাসকলৰ জিভাই গান গাব, কাৰণ
মৰুভূমিৰ পৰা পানীৰ ভুমুক আৰু মৰুপ্ৰান্তৰত জুৰিবোৰ ওলাব। ৭
জলন্ত বালি গভীৰ জলাশয় হ'ব, আৰু খৰাং মাটি পানীৰ ভুমুক হ'ব;
শিয়ালৰ বাসতিস্থান, য'ত এসময়ত সিহঁত শুইছিল, তাত নল খাগৰি
আৰু কুঁহিলাৰ ঘাঁহনি হ'ব। ৮ তাত থকা ৰাজপথবোৰৰ পবিত্ৰ পথ বুলি
মতা হ'ব। সেই পথেদি কোনো অশুচি লোকে যাত্ৰা নকৰিব। কিন্তু যি

সকলে ইয়াত অহা-যোৱা কৰিব তেওঁলোকৰ বাবেহে হ'ব, কোনো
মূৰ্খব্যক্তি সেই পথত নাযাব। ৯ সেই ঠাইত সিংহ নাথাকিব, কোনো
হিংস্ৰ জন্তু তাত নাথাকিব, তাত সিহঁতক পোৱা নাযাব, কিন্তু উদ্ধাৰ
পোৱা সকলে তাত অহা যোৱা কৰিব। ১০ যিহোৱাৰ মুক্তিপণ ঘূৰি
আহিব, আৰু গীত গানেৰে সৈতে চিয়োনলৈ আহিব; তেওঁলোকৰ মূৰত
চিৰস্থায়ী আনন্দৰ মুকুট হ'ব; উল্লাস আৰু আনন্দই তেওঁলোকক লগ
ধৰিব; শোক আৰু হুমুনিয়াহ দূৰ হৈ যাব।

**৩৬** ৰজা হিষ্কিয়াৰ ৰাজত্বৰ চতুৰ্দ্দশ বছৰত, অচুৰৰ ৰজা চনহেৰীবে,
গড়েৰে আবৃত যিহূদাৰ সকলো নগৰবোৰ আক্ৰমন কৰে আৰু সেইবোৰ
অধিকাৰ কৰে। ২ তাৰ পাছত ৰজা অচূৰীয়াই লাখীচৰ পৰা ৰবচাকিক
বহুতো সৈন্যসামন্তই সৈতে যিৰূচালেমলৈ, ৰজা হিষ্কিয়াৰ ওচৰলৈ
পঠালে। তেওঁ ধোবা-ঘাটলৈ যোৱা ৰাজ আলিৰ ওপৰত থকা পুখুৰীৰ
নলাৰ ওচৰ চাপি তাৰ কাষত থিয় হ'ল। ৩ তাতে হিল্কিয়াৰ পুত্ৰ
ৰজাৰ ঘৰগিৰী ইলিয়াকীম, ৰাজ লিখক চেবনা, আৰু ইতিহাস লিখক
আচফৰ পুত্ৰ যোৱাহে তেওঁৰে সৈতে সাক্ষাৎ কৰিবলৈ ওলাই গ'ল।
৪ ৰবচাকিয়ে তেওঁলোকক ক'লে, "হিষ্কিয়াক কোৱা যে, মহাৰাজ
অচূৰীয়াই এই কথা কৈছে, 'তোমাৰ আত্মবিশ্বাসৰ উৎস কি? ৫ তুমি
কেৱল মূল্যহীন কথা কোৱা, তুমি কোৱা যে যুদ্ধৰ কাৰণে পৰামৰ্শ
আৰু শক্তি আছে। এতিয়া তুমি কাৰ ওপৰত নিৰ্ভৰ কৰা! মোৰ বিৰুদ্ধে
বিদ্ৰোহ কৰিবলৈ কোনে তোমাক সাহ দিলে? ৬ চোৱা, তুমি সেই
থেতেলা খোৱা মিচৰৰ নল- খাগৰিত ভাৰসা কৰিছা, কিন্তু মানুহে
যদি তাত ভৰ দিয়ে, সেয়ে তেওঁৰ হাতত লাগি ধৰিব আৰু ই বিন্ধিব।
মিচৰৰ ৰজা ফৰৌণৰ ওপৰত যি সকলে ভৰসা কৰে তেওঁলোকৰ সেই
দৰেই হ'ব। ৭ কিন্তু যদি তোমালোকে মোক কোৱা, "আমি আমাৰ
ঈশ্বৰ যিহোৱাত ভাৰসা কৰিছোঁ," তেনেহ'লে যিজনে যিহোৱাৰ পবিত্ৰ
মন্দিৰ আৰু যজ্ঞ বেদিবোৰ গুচাই দিলে, আৰু যিহূদা আৰু যিৰূচালেমৰ
লোকসকলক ক'লে, যিৰূচালেমৰ যজ্ঞ বেদিৰ সন্মুখত নিশ্চয়কৈ সেৱা
কৰিব লাগিব, তেওঁ সেই হিষ্কিয়াই নহয় নে?" ৮ সেই কাৰণে, মই
এতিয়া মোৰ প্ৰভু ৰজা অচূৰীয়াৰ পৰা অহা এটা ভাল প্ৰতিশ্ৰুতিত

তোমাক বান্ধিব বিচাৰিছোঁ। যদি তুমি ঘোঁৰাত উঠিব পৰা দুই হাজাৰ
মানুহ দিব পাৰা, তেনেহ'লে মই তোমাক দুই হাজাৰ ঘোঁৰা দিম।
৯ তুমি মোৰ প্ৰভুৰ দাস সকলৰ মাজৰ সকলোতকৈ সৰু সেনাপতি
এজনক কেনেকৈ প্ৰতিহত কৰিবা? তুমি ৰথ আৰু অশ্বাৰোহীৰ কাৰণে
মিচৰত ভাৰসা কৰিছা! ১০ মই জানো যিহোৱাৰ অবিহনে ইয়ালৈ আহি
এই দেশৰ বিৰুদ্ধে যুদ্ধ কৰি ধ্বংস কৰিম? যিহোৱাই মোক ক'লে, "এই
দেশ আক্ৰমন কৰা আৰু ধ্বংস কৰা।" ১১ তেতিয়া ইলিয়াকীম, চেবনা,
আৰু যোৱাহে ৰবচাকিক ক'লে, "অনুগ্ৰহ কৰি, আপোনাৰ দাস সকলক
অৰামীয়া ভাষাত কথা কওক, কাৰণ আমি অৰমীয়া বুজি পাওঁ। কিন্তু
গড়ৰ ওপৰত থকা লোকসকলে শুনাকৈ ইব্ৰী ভাষাৰে আমাক কথা
নক'ব।" ১২ কিন্তু ৰবচাকিয়ে ক'লে, "মোৰ প্ৰভুৱে তোমাৰ প্ৰভু আৰু
তোমাৰ ওচৰলৈ জানো মোক এই বোৰ কথা ক'বলৈ পঠাইছে? যি
সকলে তোমালোকৰ সৈতে নিজৰ বিষ্ঠা খাবলৈ, আৰু নিজৰ প্ৰস্ৰাৱ
পান কৰিবলৈ গড়ৰ ওচৰত বহি আছে, তেওঁলোকৰ ওচৰলৈ জানো
মোক পঠোৱা নাই? ১৩ তাৰ পাছত ৰবচাকিয়ে থিয় হৈ ইব্ৰী ভাষাৰে
ডাঙৰ মাতেৰে চিঞৰি ক'লে, তোমালোকে মহান ৰজা অচূৰীয়া কথা
শুনা। ১৪ ৰজাই এইদৰে কৈছে, হিষ্কিয়াক তোমালোকক প্ৰতাৰণা
কৰিবলৈ নিদিবা; কাৰণ তেওঁৰ তোমালোকক ৰক্ষা কৰিব পৰা সমৰ্থ
নাই। ১৫ "যিহোৱাই আমাক অৱশ্যে উদ্ধাৰ কৰিব, ৰজা অচূৰীয়াৰ
হাতত এই নগৰ কেতিয়াও শোধাই নিদিয়ে, এই বুলি কৈ হিষ্কিয়াই
তোমালোকক যিহোৱাত ভাৰসা নকৰাওক। ১৬ তোমালোকে হিষ্কিয়াৰ
কথা নুশুনিবা; কাৰণ অচূৰীয়া ৰজাই এইদৰে কৈছে, তোমালোকে
মোৰ সৈতে সন্ধি কৰা, আৰু মোৰ ওচৰলৈ ওলাই আহাঁ। তেতিয়া
তোমালোকৰ প্ৰতেক জনে নিজৰ দ্ৰাক্ষাগুটি, নিজৰ ডিমৰু গছৰ গুটি
আৰু নিজৰ নাদৰ পানী খাবা ১৭ যেতিয়ালৈকে মই আহি তোমালোকৰ
নিজৰ দেশৰ দৰে শস্য আৰু নতুন দ্ৰাক্ষাৰস থকা দেশ, অন্ন আৰু
দ্ৰাক্ষাবাৰী থকা দেশলৈ তোমালোকক লৈ নাযাওঁ তেতিয়া লৈকে
তোমালোকে এই দৰে কৰিবা।' ১৮ 'যিহোৱাই আমাক উদ্ধাৰ কৰিব
বুলি' হিষ্কিয়াই তোমালোকক নুভুলাওক। লোকসকলৰ কোনো এজন

দেৱতাই জানো ৰজা অচূৰীয়াৰ হাতৰ পৰা তেওঁলোকক উদ্ধাৰ
কৰিছিল? ১৯ হমাতৰ আৰু অৰ্পদৰ দেৱতাবোৰ ক'ত? চফৰ্বয়িমৰ
দেৱতাবোৰ ক'ত? তেওঁলোকে জানো মোৰ শক্তিৰ পৰা চমৰিয়াক
উদ্ধাৰ কৰিছিল? ২০ সেই দেশবোৰৰ দেৱতাবোৰৰ মাজত এনে
কোনো দেৱতা আছে নে যি মোৰ শক্তিৰ পৰা তেওঁৰ দেশ উদ্ধাৰ
কৰিছিল, যিহোৱাই মোৰ শক্তিৰ পৰা যিৰূচালেম যেন উদ্ধাৰ কৰিব
পাৰিব? ২১ কিন্তু লোকসকল মনে মনে থাকিল আৰু উত্তৰ নিদিলে;
কাৰণ ৰজাৰ আজ্ঞা আছিল, "তেওঁক উত্তৰ নিদিবা।" ২২ তাৰ পাছত
হিষ্কিয়াৰ পুত্ৰ ৰজাৰ ঘৰগিৰী ইলিয়াকীম, ৰাজলিখক চেবনা, আৰু
ইতিহাস লিখক আচফৰ পুত্ৰ যোৱাহে নিজৰ কাপোৰ ফালি হিষ্কিয়াৰ
ওচৰলৈ আহি ৰবচাকিৰ কথা জনালে।

**৩৭** সেই কথা শুনা মাত্ৰে ৰজা হিষ্কিয়াই নিজৰ বস্ত্ৰ ফালি চট কাপোৰ
পিন্ধিলে, আৰু যিহোৱাৰ গৃহলৈ গ'ল। ২ চট কাপোৰ পিন্ধা ৰজাৰ
ঘৰগিৰী ইলিয়াকীম, ৰাজলিখক চেবনা, আৰু পুৰোহিতসকলৰ বৃদ্ধ
লোকক আমোচৰ পুত্ৰ যিচয়া ভাববাদী ওচৰলৈ পঠাই দিলে। ৩
তেওঁলোকে তেওঁক ক'লে, 'যিদৰে এটি সন্তানৰ প্ৰসৱৰ সময় হয়,
কিন্তু মাতৃৰ সন্তান প্ৰসৱ কৰাৰ শক্তি নাথাকে সেইদৰেই আজি সঙ্কট,
তাড়না, আৰু অপমানৰ দিন হয়। ৪ যি ৰবচাকিক নিজৰ প্ৰভু ৰজা
অচুৰীয়াৰ জীৱন্ত ঈশ্বৰক ধিক্কাৰ দিবলৈ পঠাইছিল, আপোনাৰ ঈশ্বৰ
যিহোৱাই সেই ৰবচাকিৰ কথা শুনিব, আৰু আপোনাৰ ঈশ্বৰ যিহোৱাই
নিজে শুনা কথাৰ বাবে হয়তু দণ্ড দিব; সেয়ে এতিয়া অৱশিষ্ট থকা
ভাগৰ বাবে আপুনি প্ৰাৰ্থনা উৎসৰ্গ কৰক। ৫ সেয়ে ৰজা হিষ্কিয়াৰ
দাসবোৰ যিচয়াৰ ওচৰলৈ আহিল, ৬ যিচয়াই তেওঁলোকক ক'লে,
"তোমালোকৰ গৰাকীক কোৱা, যিহোৱাই কৈছে, "তুমি যি বাক্য
শুনিলা, আৰু যিহৰ দ্বাৰাই ৰজা অচূৰীয়াৰ দাসবোৰে মোক নিন্দা
কৰিলে, এই সকলো কথালৈ ভয় নকৰিবা। ৭ চোৱা, মই তেওঁৰ
অন্তৰত এক আত্মা স্থাপন কৰিম, আৰু তেওঁ বিশেষ সম্বাদ শুনি নিজৰ
দেশলৈ উভটি যাব; মই তেওঁৰ দেশত তেওঁক তৰোৱালে নিপাত
কৰিম। ৮ তাৰ পাছত ৰবচাকিয়ে উভটি গৈ ৰজা অচূৰীয়াই লিব্‌নাৰ

বিৰুদ্ধে যুদ্ধ কৰি থকা পালে; কাৰণ তেওঁ শুনিলে যে, ৰজা লাখীচৰ
পৰা আঁতৰি গ'ল। ৯ তেতিয়া ৰজা অচৰীয়াই শুনিলে যে, কুচ আৰু
মিচৰীয়া দেশৰ ৰজা তিৰ্হাকাই তেওঁৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ সৈন্য
সমবেত কৰিছে; সেয়ে তেওঁ বাৰ্ত্তাৰে সৈতে বাৰ্ত্তাবাহকক হিষ্কিয়াৰ
ওচৰলৈ পঠিয়ালে। ১০ যিহূদাৰ ৰজা হিষ্কিয়াক কোৱা, যি ঈশ্বৰত
তুমি ভাৰসা কৰিছা, "ৰজা অচূৰীয়াৰ হাতত যিৰূচালেমক শোধাই
দিয়া নহ'ব বুলি" তোমাৰ সেই ঈশ্বৰে তোমাক নুভুলাওক। ১১ চোৱা,
ৰজা অচূৰীয়াই সকলো দেশ সম্পূৰ্ণকৈ ধ্বংস কৰি কি কৰিছিল, সেই
বিষয়ে তুমি শুনিবলৈ পালা, সেয়ে তুমি জানো ৰক্ষা পাবা? ১২ মোৰ
পূৰ্বপুৰুষসকলে ধ্বংস কৰা দেশবাসী গোজন, হাৰণ, ৰেচফ, আৰু
তলচ্ছাৰত থকা এদনৰ সন্তানসকলক তেওঁলোকৰ দেৱতাবোৰে
জানো তেওঁলোকক ৰক্ষা কৰিছে'?" ১৩ হমাতৰ ৰজা, অৰ্পদৰ ৰজা,
চফৰ্বয়িম নগৰৰ ৰজা, হেনাৰ আৰু ইব্বাৰ ৰজা সকল ক'ত আছে? ১৪
হিষ্কিয়াই বাৰ্ত্তাবাহকসকলৰ পৰা পত্ৰখন গ্ৰহণ কৰিলে আৰু পাঢ়িলে।
তাৰ পাছত তেওঁ যিহোৱাৰ গৃহলৈ গৈ যিহোৱাৰ সন্মুখত পত্ৰখন মেলি
দিলে। ১৫ হিষ্কিয়াই যিহোৱাৰ আগত প্ৰাৰ্থনা কৰি ক'লে, ১৬ "হে
কৰূব দুটাৰ মাজত বাস কৰা ইস্ৰায়েলৰ ঈশ্বৰ বাহিনীসকলৰ যিহোৱা,
আপুনি ঈশ্বৰ, পৃথিবীৰ সকলো ৰাজ্যৰ মাজত কেৱল আপুনিয়েই
ঈশ্বৰ, আপুনিয়েই আকাশ মণ্ডল আৰু পৃথিৱী সৃষ্টি কৰিলে। ১৭ হে
যিহোৱা কাণ পাতি শুনক; হে যিহোৱা আপোনাৰ চকু মেলি দৃষ্টি
কৰক আৰু জীৱন্ত ঈশ্বৰক নিন্দা কৰিবলৈ চনহেৰীবে কৈ পঠোৱা
সকলো কথা শুনক। ১৮ হে যিহোৱা এইটো সত্য যে, অচূৰীয়াৰ
ৰজাসকলে সকলো দেশীবাসী আৰু তেওঁলোকৰ দেশ ধ্বংস কৰিলে।
১৯ তেওঁলোকে তেওঁলোকৰ দেৱতাবোৰক জুইত পেলালে; কিয়নো
সেইবোৰ দেৱতা নহয়, কিন্তু মনুষ্যৰ হাতৰ কাৰ্যহে, সেইবোৰ কাঠ
আৰু শিল মাথোন, সেয়ে অচূৰীয়াসকলে সেইবোৰ বিনষ্ট কৰিলে। ২০
এই হেতুকে হে আমাৰ ঈশ্বৰ যিহোৱা, অকল আপুনিয়েই যে যিহোৱা
ইয়াক পৃথিবীৰ সকলো ৰাজ্যৰ লোকসকলে জানিবৰ বাবে আপুনি
তেওঁৰ হাতৰ পৰা আমাক নিস্তাৰ কৰক।" ২১ তাৰ পাছত আমোচৰ

পুত্ৰ যিচয়াই হিষ্কিয়াৰ ওচৰলৈ বাৰ্ত্তা পঠিয়াই ক'লে, “ইস্ৰায়েলৰ ঈশ্বৰ
যিহোৱাই এই কথা কৈছে, কাৰণ তুমি অচূৰৰ ৰজা চনহেৰীবৰ বিষয়ে
মোৰ আগত প্ৰাৰ্থনা কৰিলা; ২২ তেওঁৰ বিষয়ে যিহোৱাই কোৱা
কথা এই: কুমাৰী চিয়োন-জীয়াৰীয়ে তোমাক হেয়জ্ঞান কৰিছে, আৰু
তোমাক হাঁহিছে; যিৰূচালেম জীয়াৰীয়ে তোমালৈ মুৰ জোকাৰিলা।
২৩ তুমি কাক উপেক্ষা আৰু অপমান কৰিলা? আৰু কাৰ বিৰুদ্ধে উচ্চ
স্বৰেৰে কথা কৈছা, আৰু অহঙ্কাৰেৰে কাৰ ওপৰত দৃষ্টি কৰিলা?
ইস্ৰায়েলৰ পবিত্ৰ ঈশ্বৰ জনাৰ বিৰুদ্ধেই কৰিলা। ২৪ তুমি তোমাৰ
দাসবোৰৰ দ্বাৰাই প্ৰভুক উপেক্ষা কৰিলা, আৰু ক'লা, মোৰ অধিক
ৰথে সৈতে ওখ পৰ্ব্বতবোৰৰ টিঙলৈকে, লিবানোনৰ ওখ স্থানলৈ
উঠি গলোঁ। আৰু মই তাৰ ওখ ওখ দেৱদাৰু আৰু তাৰ উত্তম ডিমৰু
গছবোৰ কাটি পেলাম, আৰু তাৰ অন্ত ভাগৰ ওখ ঠাইত তাৰ ফলৱতী
উদ্যানত সোমাম। ২৫ মই কুঁৱা খানিলোঁ আৰু বিদেশী পানী খালোঁ,
আৰু মই মোৰ ভৰিৰ তলুৱাৰে মিচৰৰ সকলো নদীবোৰ শুকুৱাম। ২৬
বহুকালৰে পৰা মই তাক কেনেকৈ স্থিৰ কৰিলোঁ, আৰু প্ৰাচীন কালত
মই তাক কেনেকৈ কাৰ্যকাৰী কৰিলোঁ, সেই বিষয়ে তুমি শুনা নাই
নে? মই এতিয়া তাক বৈ যাব দিম। আপুনি দুৰ্ভেদ্য নগৰবোৰ হ্ৰাস
কৰি উচ্ছন্ন ভগ্ন ৰাশি কৰিবলৈ ইয়াত আছে। ২৭ তাৰ নিবাসীসকল
দুৰ্বল আছিল; তেওঁলোক চূৰ্ণবিচূৰ্ণ হৈ লজ্জিত হৈছিল। তেওঁলোকে
পথাৰত সেউজীয়া ঘাঁহ ৰুইছিল, পূবদিশৰ বতাহৰ আগত। ঘৰৰ
চালত বা পথাৰত গজা ঘাঁহৰ দৰে। ২৮ কিন্তু তুমি বহা, তুমি বাহিৰলৈ
আৰু ভিতৰলৈ অহা যোৱা কৰা, আৰু মোৰ বিৰুদ্ধে তুমি কৰা ক্ৰোধ,
এই সকলোকে মই জানিছোঁ। ২৯ তুমি মোৰ বিৰুদ্ধে কৰা ক্ৰোধৰ
কাৰণে, আৰু তোমাৰ অহঙ্কাৰৰ কথা মোৰ কাণত পৰাৰ কাৰণে মই
তোমাৰ নাকত মোৰ হাঁকোটা, আৰু তোমাৰ মুখত মোৰ লাগাম লগাম,
আৰু যি বাটেদি তুমি আহিলা, সেই বাটেদিয়েই তোমাক উভটাই
পঠাম। ৩০ তোমাৰ বাবে এইয়ে এক চিন হ'ব, যে, এই বছৰত
নিজে উৎপন্ন হোৱা শস্য, আৰু দ্বিতীয় বছৰত তাৰ পৰা উৎপন্ন হোৱা
শস্য তোমালোকে ভোজন কৰিবা; কিন্তু তৃতীয় বছৰত তোমালোকে

নিশ্চয়কৈ কঠিয়া সিচিঁ শস্য দাবা, আৰু দ্ৰাক্ষাবাৰী পাতি তাৰ ফল
ভোগ কৰিবা। ৩১ যিহূদা বংশৰ ৰক্ষা পোৱা অৱশিষ্ট লোকে পুনৰাই
পুখা মেলিব, আৰু ফলৱান হ'ব। ৩২ কাৰণ যিৰূচালেমৰ পৰা অৱশিষ্ট
লোক আৰু চিয়োন পৰ্ব্বতৰ পৰা ৰক্ষা পোৱা লোক ওলাই আহিব;
বাহিনীসকলৰ যিহোৱাৰ উৎসাহে ইয়াক সিদ্ধ কৰিব। ৩৩ এই হেতুকে
ৰজা অচূৰীয়াৰ বিষয়ে যিহোৱাই এই কথা কৈছে: তেওঁ এই নগৰলৈ
নাহিব, ইয়ালৈ এপাত কাঁড়ো নামাৰিব, ইয়াৰ সন্মুখলৈ ঢাল লৈ নাহিব,
আৰু ইয়াৰ বিৰুদ্ধে হাদাম নাবান্ধিব। ৩৪ যিহোৱাই কৈছে যে, তেওঁ
যি বাটেদি আহিল, সেই বাটেদিয়েই উভটি যাব, তেওঁ এই নগৰত
নোহোমাব। ৩৫ মই নিজৰ আৰু মোৰ দাস দায়ূদৰ কাৰণে এই
নগৰ ৰক্ষা আৰু উদ্ধাৰ কৰিম।" ৩৬ তাৰ পাছত যিহোৱাৰ দূতবোৰে
ওলাই গৈ অচূৰীয়াসকলৰ চাউনিত আক্ৰমণ কৰিলে, আৰু এক লাখ
পঁচাশী হাজাৰ লোকক মাৰিলে। তাতে লোকসকলে ৰাতিপুৱা উঠি
তেওঁলোকৰ চাৰিওফালে মৰা শৰ পৰি থকা দেখিলে। ৩৭ সেই বাবে
অচূৰৰ ৰজা চনহেৰীবে ইস্ৰায়েল ত্যাগ কৰি ঘৰলৈ উভটি গৈ নীনবিত
বাস কৰিলে। ৩৮ তাৰ পাছত তেওঁ নিজৰ নিস্ৰোক নামেৰে দেৱতাৰ
গৃহত প্ৰণিপাত কৰোঁতে, অদ্ৰমেলক আৰু চৰেচ নামৰ তেওঁৰ পুত্ৰ
দুজনে তেওঁক তৰোৱালেৰে বধ কৰিলে। তাৰ পাছত তেওঁলোক
অৰাৰট দেশলৈ পলাই গ'ল। পাছত তেওঁৰ পুত্ৰ এচৰ-হদ্দোনে তেওঁৰ
পাছত ৰাজত্ব কৰিলে।

**৩৮** সেই সময়ত হিষ্কিয়াৰ সাংঘাতিক নৰিয়া হৈছিল। আমোচৰ
পুত্ৰ ভাববাদী যিচয়াই তেওঁৰ ওচৰলৈ আহিলে, আৰু তেওঁক ক'লে,
"যিহোৱাই কৈছে, 'তুমি তোমাৰ ঘৰ সৃঙ্খলাবদ্ধ কৰা; কাৰণ তোমাৰ
মৃত্যু হ'ব, তুমি আৰু জীয়াই নাথাকিবা'।" ২ তাৰ পাছত হিষ্কিয়াই
দেৱালৰ ফাললৈ মুখ ঘূৰাই যিহোৱাৰ আগত প্ৰাৰ্থনা কৰি ক'লে, ৩
তেওঁ ক'লে, "হে যিহোৱা বিনয় কৰোঁ, মই সত্যভাৱে আৰু শুদ্ধ মনেৰে
আপোনাৰ সাক্ষাতে কেনেকৈ চলি আহিছোঁ, আৰু আপোনাৰ দৃষ্টিত
কেনে সদাচৰণ কৰি আহিছোঁ, তাক আপুনি এতিয়া সোঁৱৰণ কৰক;
এই বুলি হিষ্কিয়াই বৰকৈ কান্দিলে। ৪ যিচয়াৰ ওচৰলৈ যিহোৱাৰ

বাক্য আহিল, ৫ “তুমি গৈ হিস্কিয়াক কোৱা, তোমাৰ ওপৰ পিতৃ
দায়ূদৰ ঈশ্বৰ যিহোৱাই এই কথা কৈছে, মই তোমাৰ প্ৰাৰ্থনা শুনিলোঁ,
আৰু তোমাৰ চকুলোত মোৰ দৃষ্টি পৰিল; চোৱা, মই তোমাৰ আয়ুস
পোন্ধৰ বছৰ বঢ়াই দিম। ৬ আৰু মই ৰজা অচূৰীয়াৰ হাতৰ পৰা
তোমাক আৰু এই নগৰক উদ্ধাৰ কৰিম; আৰু মই এই নগৰৰ ঢালস্বৰূপ
হ’ম। ৭ আৰু যিহোৱাৰ পৰা তোমালৈ এই চিন হ’ব, যে, মই যি কৈছো
সেয়াই সিদ্ধ কৰিম। ৮ চোৱা, আহজৰ খটখটিত ছাঁটো দহ খাপ
ওভটাবলৈ মই খটখটিত ছাঁ পেলাম’।” সেয়ে সেই খটখটিৰ ছাঁটো
আগুৱাই যোৱা স্থানৰ পৰা দহ খোজ উভটি গৈছিল। ৯ যিহূদাৰ ৰজা
হিস্কিয়াই নৰিয়া পৰি সুস্থ হোৱাৰ পাছত লিখা প্ৰাৰ্থনা এইয়া আছিল:
১০ মই কৈছিলোঁ যে, মোৰ জীৱনৰ আধা ভাগত মই চিয়োলৰ দুৱাৰৰ
মাজেৰে যাম; মোৰ আয়ুসৰ অৱশিষ্ট ভাগৰ বাবে মোক তালৈ পঠোৱা
হৈছে।” (Sheol h7585) ১১ মই কৈছিলোঁ যে, “মই জীৱিত লোকৰ দেশত
যিহোৱাক আৰু দেখিবলৈ নাপাম; পৃথিৱীৰ নিবাসী বা মনুষ্যক মই
আৰু নাচাও। ১২ মেৰ-ছাগ ৰখীয়াৰ তম্বুৰ দৰে মোৰ জীৱন মোৰ পৰা
আঁতৰাই নিয়া হ’ল; মই সিপিনীয়ে বোৱা কাপোৰৰ দৰে মোৰ জীৱন
নুৰিয়ালোঁ, আপুনি মোক তাঁত শালৰ পৰা কাটিলে; দিন আৰু ৰাতিৰ
ভিতৰত আপুনি মোৰ জীৱনটো শেষ কৰিব। ১৩ মই ৰাতিপুৱালৈকে
কান্দিলোঁ, সিংহৰ দৰে তেওঁ মোৰ আটাই হাড় ভাঙিছে; দিন আৰু
ৰাতিৰ ভিতৰতে আপুনি মোৰ জীৱন শেষ কৰিলে। ১৪ মই বগলীৰ
দৰে চিঁচিঁয়াই আছোঁ; কপৌৰ দৰে শোক ধ্বনি কৰিছোঁ; ওপৰলৈ
চাওঁতে চাওঁতে মোৰ চকু দুৰ্বল হ’ল; হে যিহোৱা মই উপদ্ৰৱ পাইছোঁ,
মোক সহায় কৰক। ১৫ মই কি ক’ম? তেওঁ মোক ক’লে, আৰু তেওঁ
সিদ্ধও কৰিলে; মোৰ আত্মা দূখেৰে পৰিপূৰ্ণ হোৱাৰ বাবে মই মোৰ
গোটেই জীৱনত লাহে লাহে খোজ কাঢ়িম। ১৬ হে প্ৰভু, আপুনি দিয়া
কষ্ট মোৰ বাবে লাভজনক; মোৰ জীৱনটো পুনৰ ঘূৰাই দিব পাৰে;
আপুনি মোৰ জীৱন আৰু স্বাস্থ্য পুনৰ স্থাপন কৰিলে। ১৭ মই তেনে কষ্ট
অনুভৱ কৰাটো মোৰ বাবে লাভজনক আপুনি মোক ধ্বংসৰ গাতৰ
পৰা ৰক্ষা কৰিলে; কিয়নো আপুনি মোৰ সকলো পাপ আপোনাৰ

পাছফালে দলিয়াই পেলালে। ১৮ কাৰণ চিয়োলে আপোনাক ধন্যবাদ
নিদিয়ে; মৃত্যুৱে আপোনাৰ প্ৰশংসা নকৰে; গাতলৈ নামি যোৱাসকলে
আপোনাৰ বিশ্বাসযোগ্যতালৈ আশা কৰিব নোৱাৰে। **(Sheol h7585)** ১৯
আজি মই যেনেকৈ কৰিছোঁ, তেনেকৈ জীৱিত লোকেহে আপোনাক
ধন্যবাদ দিব পাৰে; পিতৃয়ে সন্তান সকলক আপোনাৰ বিশ্বাসযোগ্যতা
জানিব দিব। ২০ যিহোৱাই মোক পৰিত্ৰাণ কৰিবলৈ যুগুত আছে,
আমাৰ জীৱনৰ প্ৰতিটো দিনত যিহোৱাৰ গৃহত আমি সঙ্গীতেৰে সৈতে
উদযাপন কৰিম। ২১ তেতিয়া যিচয়াই ক'লে, "ডিমৰু গুটিৰ লদা
আনি, খহুৰ ওপৰত লগাই দিয়া যাওক; তাতে তেওঁ সুস্থ হ'ব।"। ২২
হিষ্কিয়ায়ো ক'লে, "মই যে, যিহোৱাৰ গৃহলৈ উঠি যাম, ইয়াৰ চিন কি
হ'ব?

**৩৯** সেই সময়ত বলদানৰ পুত্ৰ মৰোদক বলদান নামেৰে বাবিলৰ
ৰজাই হিষ্কিয়াৰ ওচৰলৈ এখন পত্ৰ আৰু এটি উপহাৰ পঠালে; কাৰণ
তেওঁ শুনিছিল যে, হিষ্কিয়া নৰিয়া পৰি সুস্থ হৈছিল। ২ হিষ্কিয়াই এই
বস্তুবোৰৰ দ্বাৰাই সন্তুষ্ট হ'ল; তেওঁ বাৰ্ত্তাবাহকক তেওঁৰ গোদামত
থকা বহুমূল্য বস্তুবোৰ দেখুৱালে- ৰূপ, সোণ, মছলাবোৰ, বহুমূলীয়া
তেল, আৰু তেওঁৰ অস্ত্ৰ শস্ত্ৰৰ গোদাম, তেওঁৰ গোদামত থকা সকলো
বস্তু দেখুৱালে। হিষ্কিয়াৰ ঘৰত, বা তেওঁৰ গোটেই ৰাজ্যত তেওঁ
তেওঁলোকক নেদেখুউৱা কোনো বস্তু নাছিল। ৩ তাৰ পাছত ভাববাদী
যিচয়াই ৰজা হিষ্কিয়াৰ ওচৰলৈ আহিলে আৰু সুধিলে, "এই মানুহবোৰে
আপোনাক কি ক'লে? আৰু তেওঁলোক ক'ৰ পৰা আহিছে?" তেতিয়া
হিষ্কিয়াই ক'লে, "তেওঁলোক দূৰ দেশ বাবিলৰ পৰা মোৰ ওচৰলৈ
আহিছে।" ৪ যিচয়াই সুধিলে, "আপোনাৰ গৃহত তেওঁলোকে কি কি
দেখিলে?" তেতিয়া হিষ্কিয়াই ক'লে, "তেওঁলোক মোৰ গৃহত থকা
সকলোকে দেখিলে; মোৰ বহুমূল্য বস্তুৰ মাজৰ, মই তেওঁলোকক
নেদেখুউৱা কোনো বস্তুৱেই নাই।" ৫ তেতিয়া যিচয়াই হিষ্কিয়াক
ক'লে, বাহিনীসকলৰ যিহোৱাৰ বাক্য শুনা: ৬ চাওক, আপোনাৰ গৃহত
যি যি আছে, আৰু আপোনাৰ পূৰ্বপুৰুষসকলে সাঁচি থৈ যোৱা যি যি বস্তু
আজিলৈকে আছে, সেই সকলোকে বাবিললৈ নিবৰ দিন ওচৰ চাপিছে,

সেইবোৰৰ অলপো অৱশিষ্ট নাথাকিব, ইয়াক যিহোৱাই কৈছে। ৭
আপোনাৰ ঔৰসত যি যি পুত্ৰসকল জন্ম হ'ব, তেওঁলোকৰ আপুনি
পিতৃ তুল্য হ'ব; তেওঁলোকে তেওঁলোকক লৈ যাব আৰু তেওঁলোক
বাবিলৰ ৰাজ গৃহত নপুংসক দাস হ'ব।" ৮ তেতিয়া হিষ্কিয়াই যিচয়াক
ক'লে, "তুমি যিহোৱাৰ যি বাক্য ক'লা, সেয়ে উত্তম।" কাৰণ তেওঁ
ভাবিলে যে, "মোৰ দিনত সেই ঠাইত শান্তি আৰু স্থিৰতা হ'ব।
৪০ তোমালোকৰ ঈশ্বৰে কৈছে, মোৰ লোকসকলৰ শান্ত্বনা হওক।
২ যিৰূচালেমক নম্ৰতাৰে কোৱা, আৰু তেওঁলৈ ঘোষনা কৰা, যে তেওঁৰ
সংগ্ৰাম শেষ হ'ল, তেওঁৰ অপৰাধ ক্ষমা কৰা হ'ল, তেওঁৰ সকলো
পাপৰ সলনি যিহোৱাৰ হাতৰ পৰা তেওঁ দুগুণ মঙ্গল পালে। ৩ এটা
মাতে চিঞৰিছে, মৰুপ্ৰান্তৰত যিহোৱাৰ পথ যুগুত কৰা, আমাৰ ঈশ্বৰৰ
বাবে মৰুভূমিত এটি পোন ৰাজপথ তৈয়াৰ কৰা।" ৪ প্ৰত্যেক উপত্যকা
ওখ কৰা হ'ব; আৰু প্ৰত্যেক পৰ্ব্বত আৰু পাহাৰ সমান কৰা হ'ব;
অসমতল ঠাই সমান কৰা হ'ব, খলাবমা মাটি সমান কৰা হ'ব; ৫ আৰু
যিহোৱাৰ মহিমা প্ৰকাশ কৰা হ'ব, আৰু সকলো মৰ্ত্ত্যই একে সময়তে
তাক দেখিব; কাৰণ যিহোৱাই নিজৰ মুখেৰে ইয়াকে ক'লে। ৬ এজনে
কৈছে, "কান্দা।" আন এজনে উত্তৰ দিছে, "মই কিয় কান্দিম?" সকলো
মাংসই তৃণ হ'য়, আৰু তেওঁৰ সকলো বিশ্বাসযোগ্য চুক্তি পথাৰৰ ফুলৰ
দৰে। ৭ যেতিয়া যিহোৱাৰ প্ৰশ্বাস-বায়ু তাৰ ওপৰত বলায় তেতিয়া
ঘাঁহ শুকাই যায়, ফুল জঁয় পৰে; আৰু লোকসকল নিশ্চয় ঘাঁহ। ৮ ঘাঁহ
শুকাই যায়, ফুল জয় পৰে, কিন্তু আমাৰ ঈশ্বৰৰ বাক্য অনন্ত কাললৈকে
থাকে। ৯ হে চিয়োনৰ আগত শুভবাৰ্ত্তা প্ৰচাৰ কৰোঁতা লোক, ওখ
পৰ্ব্বতলৈ উঠি যোৱা; যিৰূচালেমলৈ শুভবাৰ্ত্তা ঘোষণা কৰা, শক্তিৰে
সৈতে জোৰেৰে ৰিঙিওৱা। চিঞৰি কান্দা, ভয় নকৰিবা। যিহূদাৰ
নগৰবোৰক কোৱা, "এইয়া তোমালোকৰ ঈশ্বৰ।" ১০ চোৱা, প্ৰভু
যিহোৱা জয়যুক্ত বীৰস্বৰূপে আহিছে, আৰু তেওঁ নিজ বাহুবলেৰে শাসন
কৰিব। চোৱা তেওঁৰ পুৰস্কাৰ তেওঁৰ লগত আছে, তেওঁৰ প্ৰতিদান
তেওঁৰ আগে আগে যায়। ১১ তেওঁ মেৰ-ছাগ ৰখীয়াৰ দৰে নিজৰ
জাকক চৰাব, তেওঁ নিজৰ বাহুৰ তলত মেৰ-ছাগ পোৱালিক গোটাব,

আৰু সিহঁতক হৃদয়ৰ কাষ চপায় কঢ়িয়াব আৰু সিহঁতৰ সৰুবোৰক
মৰমেৰে প্ৰতিপালন কৰি চলাই নিব। ১২ কোনে নিজৰ হাতৰ তলুৱাত
জলৰাশি জুখিছিল? আৰু কোনে আকাশ-মণ্ডল জুখিছিল? কোনে
পৃথিবীৰ সমূদায় ধূলি দোনত ভৰাই জুখিছিল? কোনে পৰ্ব্বতবোৰক
পাল্লাত বা পাহাৰবোৰক তুলাঁচনীত জুখিছিল? ১৩ কোনে যিহোৱাৰ
আত্মাৰ তত্ত্ব নিৰূপণ কৰিছিল? বা কোনে তেওঁৰ পৰামৰ্শদাতা হৈ
তেওঁক শিক্ষা দিছিল? ১৪ তেওঁ কাৰ পৰা পৰামৰ্শ পাইছিল? কোনে
তেওঁক ন্যায় কাৰ্য কৰিবলৈ শিকাইছিল? আৰু কোনে তেওঁক জ্ঞানৰ
শিক্ষা দিছিল, আৰু তেওঁক বিবেচনাৰ পথ দেখুৱাইছিল? ১৫ চোৱা,
দেশবাসীসকল কলহৰ গাত লাগি থকা পানীৰ কণিকাৰ দৰে আৰু
তুলাচনীত লাগি থকা ধুলিৰ কণিকাৰ দৰে গণিত হয়; চোৱা, তেওঁ
অতি ক্ষুদ্ৰ বস্তুৰ দৰে দ্বীপবোৰক তোলে। ১৬ ইন্ধনৰ বাবে লিবানোন,
নাইবা হোম বলিৰ বাবে অৰণ্যৰ জন্তুবোৰ যথেষ্ট নহয়। ১৭ তেওঁৰ
দৃষ্টিত সকলো দেশবাসী অপৰ্যাপ্ত; তেওঁৰ আগত তেওঁলোক একোৱে
নহয় দৰে গণিত হয়। ১৮ তেন্তে তোমালোকে কাৰ সৈতে ঈশ্বৰক
তুলনা কৰিবা? বা তেওঁৰ লগত কোন মুৰ্ত্তিৰ উপমা দিবা? ১৯ এটা
কটা মুৰ্ত্তি! এজন কৰ্মকাৰে নিজে তৈয়াৰ কৰে; সোণাৰীয়ে তাৰ ওপৰত
সোণৰ পতা মাৰে, আৰু তাৰ বাবে ৰূপৰ শিকলি যুগুত কৰে। ২০
মানুহে উপহাৰ দিবলৈ নপচা কাঠ বাচি লৈ; পৰিব নোৱাৰা প্ৰতিমা
নিজৰ বাবে যুগুত কৰিবলৈ নিপুণ শিল্পকাৰ বিচাৰে। ২১ তোমালোকে
নাজানা নে? তোমালোকে শুনা নাই নে? আদিৰে পৰা তোমালোকক
সম্বাদ দিয়া নাই নে? পৃথিবীৰ মূল স্থাপন কৰাৰে পৰা তোমালোকে
বুজা নাই নে? ২২ যি জনা পৃথিৱীৰ আকাশ মণ্ডলৰ ওপৰত বহি
আছে, আৰু তেওঁৰ আগত তাৰ নিবাসীসকল ফৰিঙৰ দৰে, তেওঁ
পৰ্দাৰ দৰে আকাশ মণ্ডল বিস্তাৰ কৰে, আৰু বাস কৰা তম্বুৰ দৰে
তাক প্ৰসাৰিত কৰে। ২৩ তেওঁ শাসনকৰ্ত্তাসকলক নথকাৰ দৰে লুপ্ত
কৰে; আৰু পৃথিবীৰ শাসনকৰ্ত্তাসকলক অৰ্থহীনৰ দৰে কৰে; ২৪
চোৱা, তেওঁলোকে কেৱল ৰোৱে আৰু বয়, এনে কি, তেওঁলোকৰ
মুঢ়ায়ো মাটিত কেৱল শিপা ধৰিছে, তেওঁ তেওঁলোকৰ ওপৰত ফু

দিয়াৰ আগতে তেওঁলোক শুকাই যায়, আৰু তেওঁলোকক বা'মৰলী
বতাহে মৰাৰ দৰে উৰুৱাই নিয়ে। ২৫ পবিত্ৰ জনাই কৈছে, “তেনেহ'লে
তোমালোকে মোক কাৰ সৈতে উপমা দিলে মই তাৰ সদৃশ হ'ম? ২৬
আকাশলৈ চকু তুলি চোৱা, কোনে সৌ তৰাবোৰ সৃষ্টি কৰিলে? তেওঁ
তেওঁলোকৰ সমস্ত সৃষ্টি পৰিচালনা কৰে, আৰু তেওঁ সেইবোৰক নাম
কাঢ়ি মাতে, সেই জনাৰ অধিক সামৰ্থ আৰু বহু পৰাক্ৰমৰ কাৰণে
সেইবোৰৰ কোনো এটাও অনুপস্থিত নাথাকে। ২৭ মোৰ পথ যিহোৱাৰ
পৰা গুপ্ত হৈ আছে, আৰু মোৰ গোচৰলৈ তেওঁ মন নিদিয়ে, হে যাকোব
আৰু হে ইস্রায়েল, তুমি কিয় এনে কথা কৈছা? ২৮ তুমি জনা নাই
নে? তুমি জানো শুনা নাই? অনাদি অনন্ত ঈশ্বৰ যিহোৱাই, পৃথিৱীৰ
সীমাবোৰ সৃষ্টিকৰ্ত্তা তেওঁ ক্লান্ত নহয়, আৰু ভাগৰ নাপায়, আৰু তেওঁৰ
বুদ্ধি অগম্য। ২৯ তেওঁ ক্লান্ত হোৱা লোকক শক্তি দান কৰে, আৰু দুৰ্ব্বল
হোৱা লোকক অধিক বল দান কৰে। ৩০ এনে কি ডেকাসকলে ক্লান্ত
হৈ ভাগৰ পায়, আৰু যুৱকসকলে উজুতি খাই পৰে। ৩১ কিন্তু যিসকলে
যিহোৱালৈ অপেক্ষা কৰে, তেওঁলোকে নতুন বল পাব, তেওঁলোকে
কুৰৰ পক্ষীৰ দৰে ডেউকাৰে ওপৰলৈ উৰিব, তেওঁলোকে দৌৰিব আৰু
ক্লান্ত নহ'ব, তেওঁলোকে খোজ কাঢ়িব আৰু ভাগৰ নাপাব।

**৪১** হে দ্বীপবোৰ, মোৰ আগত নিজম দি শুনা, দেশবাসীয়ে নতুন বল
পাওক; তেওঁলোকক ওচৰত আহি কথা পাতিব দিয়া, আহাঁ আমি
একে লগে বিবাদৰ বিচাৰলৈ যাওহঁক। ২ কোনে পূব দিশত এজনক
উত্তেজিত কৰিলে? ধাৰ্মিকতা কাৰ্য কৰিবলৈ কোনে তেওঁক নিজৰ
ভৰিৰ ওচৰলৈ মাতিছে? তেওঁ সেই জনৰ আগত দেশবসীক শোধাই
দিছে, আৰু তেওঁক ৰজাসকলৰ পৰাভূত কৰাইছে; তেওঁ তেওঁলোকক
তৰোৱালেৰে ধুলিৰ দৰে আৰু তেওঁৰ ধনুৰে উৰি যোৱা নৰাৰ দৰে
কৰিছে। ৩ তেওঁ তেওঁলোকৰ পাছে পাছে খেদি গৈছে, আৰু তেওঁ
বাটত ভৰি নিদিয়াকৈ নিৰাপদে আগ বাঢ়ি গৈছে। ৪ কোনে সেই কাৰ্য
কৰিলে আৰু তাক সিদ্ধও কৰিলে? কোনে আৰম্ভণীৰে পৰা প্ৰজন্মক
উৎপন্ন কৰে? প্ৰথম যি মই, আৰু শেষৰ সঙ্গী যি মই যিহোৱা, ময়েই
সেই জনা। ৫ দ্বীপবোৰে দেখি ভয় কৰিলে, পৃথিৱীৰ অন্তবোৰ কঁপিল;

সিহঁত ওচৰ চাপি আহিল। ৬ প্ৰতিজনে নিজৰ ওচৰ চুবুৰীয়াক সহায়
কৰিলে, আৰু প্ৰতিজনে ইজনে আন জনক ক'লে, 'সাহ কৰা।' ৭ সেই
দৰে বাঢ়ৈয়ে সোণাৰীক, আৰু হাতুৰীৰে কাম কৰা জনক নিয়াৰিত
খুন্দা জনক সাহস দিলে। ঢালাই কৰাৰ বিষয়ে ক'লে, এইটো উত্তম;
আৰু সি গজাল মাৰি তাক সংলগ্ন কৰিলে যাতে সেইয়া তলত নপৰে।
৮ কিন্তু হে মোৰ দাস ইস্ৰায়েল, যাকোব যাক মই মনোনীত কৰিলোঁ,
মোৰ বন্ধু অব্ৰাহামৰ সন্তান, ৯ যাক মই পৃথিৱীৰ অন্তৰ পৰা হাতেৰে
ধৰি আনিলো, আৰু যাক মই অতি দূৰৰ পৰা মাতিলো আনিলো,
যাক মই ক'লো, 'তুমি মোৰ দাস;' মই তোমাক মনোনীত কৰিলোঁ
আৰু তোমাক ত্যাগ কৰা হোৱা নাই। ১০ ভয় নকৰিবা, কাৰণ মই
তোমাৰ লগত আছোঁ; ব্যাকুল নহ'বা, কাৰণ মই তোমাৰ ঈশ্বৰ; মই
তোমাক শক্তি দিম, মই তোমাক সহায় কৰিম, আৰু মোৰ বিজয়
যুক্ত সোঁ হাতেৰে তোমাক ধৰি ৰাখিম। ১১ চোৱা, যিসকলে তোমাৰ
বিৰুদ্ধে ক্ৰোধ কৰিছে, সেই সকলোৱে লাজ পাই বিবৰ্ণ হ'ব; যিসকলে
তোমাক প্ৰতিবাদ কৰে, তেওঁলোক একো নোহোৱা যেন হ'ব, আৰু
বিনষ্ট হ'ব; ১২ যিসকলে তোমাৰ বিৰোধ কৰে, তেওঁলোকক তুমি
বিচাৰি নাপাবা; যিসকলে তোমাৰ লগত যুদ্ধ কৰে, তেওঁলোক শূন্য
আৰু একো নোহোৱা যেন হ'ব। ১৩ কিয়নো তোমাৰ ঈশ্বৰ যিহোৱা যি
মই, ময়েই তোমাৰ সোঁ হাতত ধৰোঁ, আৰু কওঁ, 'ভয় নকৰিবা; ময়েই
তোমাক সহায় কৰিম।' ১৪ হে পোক যাকোব, হে ইস্ৰায়েল লোকসকল,
ভয় নকৰিবা; যিহোৱাই কৈছে "ময়েই তোমাক সহায় কৰিম" আৰু
ইস্ৰায়েলৰ পবিত্ৰ ঈশ্বৰ জনাই তোমাৰ মুক্তিদাতা। ১৫ চোৱা, মই
তোমাক এক নতুন চোকা দাঁত থকা মৰণা মৰা যন্ত্ৰস্বৰূপ কৰিম; তুমি
পৰ্ব্বতবোৰ মৰণা মাৰি গুড়ি কৰিবা, আৰু পাহাৰবোৰক তুহঁৰ দৰে
কৰিবা। ১৬ তুমি সেইবোৰক জাৰিবা, আৰু বতাহে সেইবোৰক উড়ুৱাই
নিব, আৰু বা'মৰলী বতাহে সেইবোৰক সিঁচৰিত কৰিব; কিন্তু তুমি
যিহোৱাত উল্লাস কৰিবা, তুমি ইস্ৰায়েলৰ পবিত্ৰ ঈশ্বৰ জনাত গৌৰৱ
কৰিবা। ১৭ দুখী আৰু অভাৱীসকলে পানী বিচাৰে কিন্তু তাত পানী
নাই, আৰু তেওঁলোকৰ জিভা পিয়াহতে শুকাই যায়; মই যিহোৱাই

তেওঁলোকৰ প্ৰাৰ্থনাৰ শুনিম, মই ইস্ৰায়েলৰ ঈশ্বৰ তেওঁলোকক ত্যাগ
নকৰিম। ১৮ মই এঢলীয়া স্থানৰ পৰা তললৈ যোৱাকৈ নদীবোৰ,
আৰু উপত্যকাৰ মাজত ভুমুকবোৰ উলিয়াম; মই মৰুভূমিক এক
জলাশয় কৰিম, আৰু খৰাং মাটিক ভুমুকেৰে পৰিপূৰ্ণ কৰিম। ১৯
মই অৰণ্যত বনৰীয়া এৰচ, বাবল, মেন্দি আৰু জলফাই গছ ৰুম;
আৰু মৰুভূমিত দেৱদাৰু, তিধৰ, তাচুৰ গছ একেলগে ৰুই থম। ২০
যিহোৱাই নিজ হাতে যে, এই কাৰ্য কৰিলে, আৰু ইস্ৰায়েলৰ পবিত্ৰ
ঈশ্বৰ জনাই যে তাক সৃষ্টি কৰিলে, ইয়াক লোকসকলে যেন দেখিব
আৰু বিবেচনা কৰি একে সময়তে বুজিব পাৰে, এনে অভিপ্ৰায়েৰে
মই সেই কাৰ্য কৰিম। ২১ যিহোৱাই কৈছে, “তোমালোকৰ গোচৰ
উপস্থিত কৰা,” যাকোবৰ ৰজাই কৈছে, “তোমালোকৰ মুৰ্ত্তিৰ বাবে
দৃঢ় প্ৰমাণ আনা।” ২২ তেওঁলোকক তেওঁলোকৰ প্ৰমাণ আমালৈ
আনিবলৈ দিয়া হওক, আৰু আগলৈ কি ঘটিব, তাক আমাৰ আগত
প্ৰকাশ কৰিবলৈ দিয়া হওক; সেয়ে আমি এই সকলো ভালদৰে বুজিব
পাৰিম। আগেয়ে কৰা ভবিষ্যতবাণী আমাক কোৱা হওক, সেয়ে আমি
তেওঁলোকৰ ওপৰত প্ৰতিফলিত কৰিম আৰু তেওঁলোকে কিদৰে সিদ্ধ
কৰিব তাক জানিম। ২৩ তোমালোক যে ঈশ্বৰ, ইয়াক আমি জানিবলৈ
ভবিষ্যতে কি ঘটিব, তাক প্ৰকাশ কৰা; আমি যাতে শঙ্কিত আৰু বিস্ময়
মানি দেখিবৰ বাবে তোমালোকে মঙ্গল বা অমঙ্গল কৰা। ২৪ চোৱা,
তোমালোকৰ মুৰ্ত্তিবোৰ একো নহয়, আৰু তোমালোকৰ কাৰ্যও একো
নহয়; তোমালোকক মনোনীত কৰা জন ঘৃণনীয়। ২৫ মই উত্তৰ দিশত
এজনক উৎপন্ন কৰিলোঁ, আৰু তেওঁ আহিছে; মোৰ নাম লোৱা জনক
সূৰ্য উদয় হোৱা ফালে মই মাতিলোঁ; বোকা গচকাৰ দৰে, আৰু কুমাৰে
মাটি খচাৰ দৰে, তেওঁ শাসনকৰ্ত্তাসকলক গচকিব। ২৬ কোনে ইয়াক
আদিৰে পৰা প্ৰকাশ কৰিলে? আৰু কোনে আগতে কৰিলে? সেই
কথা জানিবৰ বাবে, যাতে আমি ক’ব পাৰোঁ “তেওঁ সত্য” বাস্তৱিকতে
তেওঁলোকৰ কোনোৱে এই আজ্ঞা দিয়া নাছিল, তুমি কোৱা কথা
কোনো শুনা নাছিল। ২৭ মই প্ৰথমে চিয়োনক কৈছিলোঁ, “ইয়াত
এওঁলোকক চোৱা,” মই এজন প্ৰচাৰক যিৰূচালেমলৈ পঠালোঁ। ২৮

যেতিয়া মই চালোঁ, তাত কোনো এজনো নাই; ভাল পৰামৰ্শ দিব পৰা
কোনো এজনো তেওঁলোকৰ মাজত নাই, মই সুধিলে উত্তৰত এটা শব্দ
ক'ব পৰা কোন আছে। ২৯ চোৱা, তেওঁলোকৰ সকলোৱে অসাৰ, আৰু
তেওঁলোকৰ কাৰ্যও অসাৰ; তেওঁলোকৰ সাঁচত ঢলা মুৰ্ত্তিবোৰ ভাপ
আৰু শূন্য মাথোন।

৪২ সৌৱা চোৱা, মোৰ দাস, মই তেওঁক ধৰি ৰাখিছোঁ; মোৰ
মনোনীত লোকত, মোৰ আত্মাই সন্তুষ্ট হৈছে; মই তেওঁৰ ওপৰত
মোৰ আত্মা স্থিতি কৰিলোঁ; তেওঁ দেশবাসীসকলৰ মাজত ন্যায় বিচাৰ
কৰিব। ২ তেওঁ নাকান্দিব অথবা নিচিঞ্ৰঁৰিব, আৰু নিজৰ মাত পথত
শুনাকৈ নক'ব। ৩ তেওঁ থেতেলা নল নাভাঙিব, ধোঁৱাই থকা শলিতাও
নুনুমাব; কিন্তু তেওঁ সত্যতাৰে ন্যায় বিচাৰ কৰিব। ৪ তেওঁ পৃথিবীত
ন্যায় বিচাৰ স্থাপন নকৰালৈকে দুৰ্ব্বল কি নিৰুৎসাহ নহ'ব; আৰু
দ্বীপবোৰে তেওঁৰ বিধানৰ বাবে অপেক্ষা কৰিব। ৫ যিজনাই আকাশ
মণ্ডল আৰু পৃথিৱী সৃষ্টি কৰিলে, সেইজনাই পৃথিৱী আৰু তাত উৎপন্ন
হোৱা সকলোকে দলিচা পৰাৰ দৰে পাৰিলে, আৰু জীৱন দিলে; যি
জনাই লোকসকলক নিশ্বাস দিলে জীয়াই থকা সকলক প্ৰাণ দিলে,
সেই ঈশ্বৰ যিহোৱা কোৱা কথা এই, ৬ মই তোমাক ধাৰ্মিকতাৰে
মাতিলো, আৰু তোমাৰ হাত ধৰি ৰাখিম, মই লোকসকলৰ নিয়ম
স্থাপকৰূপে, দেশবাসীসকলৰ দ্বীপ্তি স্বৰূপে তোমাক নিযুক্ত কৰিম। ৭
অন্ধ লোকসকলৰ চকু মুকলি কৰিবলৈ, বন্দীশালৰ পৰা বন্দীসকলক
মুক্ত কৰিবলৈ, আৰু কাৰাগাৰৰ অন্ধকাৰত বহি থকা সকলক তাৰ
পৰা আনিবলৈ। ৮ মই যিহোৱা, এয়ে মোৰ নাম; আৰু মই মোৰ
গৌৰৱ আনক, বা মোৰ প্ৰশংসা কটা মুৰ্ত্তিবোৰক নিদিওঁ। ৯ চোৱা,
আগৰ কথা ফলিয়ালে এতিয়া নতুন বিষয় মই প্ৰকাশ কৰোঁ; সেইবোৰ
সিদ্ধ নহওঁতেই সেইবোৰৰ বিষয়ে মই তোমালোকক কওঁ।" ১০ হে
সমুদ্ৰৰ ভিতৰত থকাসকল আৰু তাত থকা সকলোবোৰ, হে দ্বীপবোৰ
আৰু তাৰ নিবাসীসকল তোমালোকে যিহোৱাৰ উদ্দেশ্যে নতুন গীত
গোৱা, আৰু পৃথিৱীৰ সীমাৰ পৰা তেওঁৰ প্ৰশংসাৰ গান কৰা। ১১
মৰুভূমি আৰু তাৰ নগৰবোৰে কান্দক, কেদৰে বসতি কৰা গাওঁবোৰে

উচ্চধ্বনি কৰক; চেলা-নিবাসীসকল গান কৰক, পৰ্ব্বতৰ টিঙৰ পৰা
জয় ধ্বনি কৰক। ১২ তেওঁলোকে যিহোৱাৰ গৌৰৱ স্বীকাৰ কৰক,
আৰু দ্বীপবোৰৰ মাজত তেওঁৰ প্ৰশংসা কৰক। ১৩ যিহোৱা বীৰৰ দৰে
ওলাই আহিব; তেওঁ যুদ্ধাৰুৰ দৰে নিজৰ উৎসাহ বঢ়াব; তেওঁ জয়
ধ্বনি কৰিব, এনে কি, মহা ধ্বনি কৰিব; তেওঁ শত্রুবোৰৰ বিৰুদ্ধে
পৰাক্ৰমী কাৰ্য প্ৰদৰ্শন কৰিব। ১৪ মই বহু সময়ৰ বাবে নিজম দি
থাকিলোঁ, এতিয়াও মই মোখ বন্ধ কৰিম, কিন্তু এতিয়া মই প্ৰসৱ কৰা
তিৰোতাৰ দৰে চিঞৰিম, একেবাৰে নেথাম আৰু ঘনকৈ উশাহ ল'ম।
১৫ মই পৰ্ব্বত আৰু পাহাৰবোৰ ধ্বংস কৰিম, আৰু সেই বোৰৰ ওপৰত
থকা সকলো গছ গছনি শুকুৱাম; আৰু মই নৈ বোৰ দ্বীপত পৰিনত
কৰিম, আৰু জলাশয়বোৰ শুকুৱাম। ১৬ মই অন্ধসকলক তেওঁলোকে
নজনা বাটেদি লৈ যাম, তেওঁলোকে নজনা পথেদি তেওঁলোকক লৈ
যাম; মই তেওঁলোকৰ আগত আন্ধাৰক পোহৰ কৰিম, আৰু বেঁকাবেঁকি
ঠাই পোন কৰিম। এইবোৰ কাৰ্য মই কৰিম; আৰু সেইবোৰ মই
পৰিত্যাগ নকৰিম। ১৭ যিসকলে কটা প্ৰতিমাবোৰত বিশ্বাস কৰে, আৰু
যিসকলে সাঁচত ঢলা মুৰ্ত্তিবোৰক কয়, “তোমালোক আমাৰ ঈশ্বৰ,”
সেই আটাইলোক সকলে বিমুখ হৈ সম্পূৰ্ণকৈ লাজ্জিত হ'ব। ১৮ হে
কলাসকল শুনা; হে অন্ধসকল চকু মেলা তাতে দেখা পাবা। ১৯ কিন্তু
মোৰ দাসৰ দৰে অন্ধ কোন? আৰু মই পঠোৱা দূতৰ দৰে কলা কোন?
মোৰে সৈতে শান্তিৰে থকা লোকৰ দৰে অন্ধ কোন? যিহোৱাৰ দাসৰ
দৰে অন্ধ কোন? ২০ তুমি অনেক বিষয় দেখিছা, কিন্তু হৃদয়ঙ্গম
নকৰা; কাণ মুকলি আছে, কিন্তু তেওঁ নুশুনে। ২১ যিহোৱাই নিজৰ
ধাৰ্মিকতালৈ চাই, ব্যৱস্থাক মহৎ আৰু আদৰণীয় কৰিবলৈ সন্তুষ্ট হ'ল।
২২ কিন্তু এই লোকসকল ডকাইত আৰু লুট কৰি নিয়া লোক, তেওঁলোক
সকলোৱেই গাতত ধৰা পৰিল, আৰু বন্দীশালত বন্দী কৰা হ'ল;
তেওঁলোকক লুট কৰা হ'ল, কিন্তু তেওঁলোকক কোনেও উদ্ধাৰ কৰিব
নোৱাৰে; আৰু কোনেও নকয় “ওভোটাই দিয়া” বুলি। ২৩ তোমাৰ
মাজত কোনে এই কথা শুনিব? আৰু কোনে শুনি ভৱিষ্যত কালৰ বাবে
শুনিব? ২৪ কোনে যাকোবক লোট আৰু কোনে ইস্ৰায়েলক ডকাইতৰ

হাতত সমৰ্পণ কৰিলে? যি জনাৰ বিৰুদ্ধে আমি পাপ কৰিলোঁ, আৰু
যিজনাৰ পথত লোকসকলে চলিবলৈ অমান্তি হ'ল, আৰু যিজনাৰ
ব্যৱস্থালৈ লোকসকলে কাণ নিদিলে, সেই যিহোৱাই নহয় নে? ২৫
সেই বাবে তেওঁ তাৰ ওপৰত নিজৰ ক্ৰোধাগ্নি আৰু যুদ্ধৰ প্ৰচণ্ডতা
বৰষালে; তাতে সেয়ে চাৰিওফালে জ্বলি উঠিল, তথাপিও তেওঁলোকে
উপলব্ধি নকৰিলে; সেয়ে তেওঁলোকক পুৰিলে, তথাপি তেওঁলোকে
হৃদেয়েৰে গ্ৰহণ নকৰিলে।

**৪৩** কিন্তু হে যাকোব মই সৃষ্টিকৰ্ত্তা যিহোৱাই, আৰু হে ইস্ৰায়েল,
তোমাৰ নিৰ্ম্মাণকৰ্ত্তা যিহোৱা এইদৰে কৈছে, "ভয় নকৰিবা, কিয়নো
মই তোমাক মুক্ত কৰিলোঁ; মই তোমাৰ নাম ধৰি তোমাক মাতিলোঁ,
তুমি মোৰেই।" ২ তুমি যেতিয়া পানীৰ মাজেদি পাৰ হ'লে, মই তোমাৰ
লগত থাকিম, আৰু নদীবোৰৰ মাজেদি গ'লে সেইবোৰে তোমাক
প্লাবিত নকৰিব; যেতিয়া তুমি জুইৰ মাজেদি খোজ কাঢ়িবা তুমি
দগ্ধ নহ'বা, নাইবা তাৰ শিখাই তোমাক অনিষ্ট নকৰিব। ৩ কিয়নো
মই তোমাৰ ঈশ্বৰ যিহোৱা, ইস্ৰায়েলৰ পবিত্ৰ ঈশ্বৰ জনা, তোমাৰ
ত্ৰাণকৰ্ত্তা; মই তোমাৰ মুক্তিস্বৰূপে মিচৰ, তোমাৰ সলনি কুচ আৰু
চিবা দিলোঁ ৪ এতিয়াও তুমি মোৰ দৃষ্টিত বহুমূল্য আৰু আদৰণীয়,
মই তোমাক প্ৰেম কৰোঁ; সেই বাবে মই তোমাৰ সলনি মানুহবোৰক,
তোমাৰ প্ৰাণৰ সলনি লোক সমূহক দিম। ৫ ভয় নকৰিবা, কিয়নো মই
তোমাৰ লগত আছোঁ; মই পূৱ দিশৰ পৰা তোমাৰ বংশক আনিম,
আৰু পশ্চিম দিশৰ পৰা তোমাক গোটাম। ৬ মই উত্তৰ দিশক ক'ম,
'তেওঁলোকক এৰি দিয়া, আৰু দক্ষিণ দিশক ক'ম, ধৰি নাৰাখিবা, মোৰ
পুত্ৰসকলক দূৰৰ পৰা, আৰু মোৰ জীয়েকসকলক পৃথিৱীৰ সীমাৰ
পৰা আনি দিয়া। ৭ মোৰ নামেৰে প্ৰখ্যাত হোৱা, আৰু মোৰ গৌৰৱৰ
অৰ্থে মই সৃষ্টি কৰা প্ৰতিজনক আনি দিয়া; তেওঁলোকক মই গঠন
কৰিলোঁ, মই নিৰ্ম্মাণ কৰিলোঁ। ৮ তোমালোকে চকু থকা অন্ধ লোকক,
আৰু কাণ থকা কলা লোকক উলিয়াই আনা। ৯ সকলো দেশবাসী
গোট খাওক, আৰু লোক সমূহ সমবেত হওক; তেওঁলোকৰ মাজৰ
কোনে ইয়াক প্ৰকাশ কৰিব পাৰে? আৰু আগৰ কালৰ কথা কোনে

আমাক শুনাব পাৰে? তেওঁলোকৰ নিজৰ কথা প্ৰমাণ কৰিবলৈ নিজৰ
সাক্ষী আনক; তেওঁলোকক শুনা হওক আৰু “সেয়ে সঁচা” বুলি নিশ্চিত
কৰা হওক। ১০ যিহোৱাই কৈছে, “তোমালোকে যাতে জানিব পাৰা
আৰু মোক বিশ্বাস কৰা, আৰু মইয়ে যে তেওঁ, ইয়াক বুজিব পাৰা,
সেয়ে তোমালোকেই মোৰ সাক্ষী আৰু মোৰ মনোনীত দাস। মোৰ
পূৰ্বতে কোনো ঈশ্বৰ নিৰ্ম্মিত হোৱা নাই, আৰু মোৰ পাছতো কোনো
নহ'ব। ১১ মই, ময়েই যিহোৱা, মোৰ বাহিৰে আন কোনো ত্ৰাণকৰ্ত্তা
নাই। ১২ ময়েই প্ৰচাৰ কৰিলোঁ, ময়েই পৰিত্ৰাণ কৰিলোঁ, আৰু ময়েই
ঘোষণা কৰিলোঁ; আৰু আন কোনো দেৱতা তোমালোকৰ মাজত নাই;
যিহোৱাই কৈছে, “তোমালোকে মোৰ সাক্ষী, আৰু মইয়েই ঈশ্বৰ;
১৩ আদিৰে পৰা মইয়েই তেওঁ, মোৰ হাতৰ পৰা উদ্ধাৰ কৰোঁতা
কোনো নাই; মই কাৰ্য কৰিম, আৰু কোনে তাক ঘুৰাব পাৰে?” ১৪
তোমালোকৰ মুক্তিদাতা ইস্ৰায়েলৰ পবিত্ৰ ঈশ্বৰ যিহোৱাই এই কথা
কৈছে, “মই তোমালোকৰ বাবে বাবিললৈ লোক পঠালোঁ, আৰু মই
তেওঁলোকৰ সকলোকে পলাতক অৱস্থাত লৈ যাম, মই কলদীয়াসকলক
তেওঁলোকৰ আনন্দ কৰাৰ পৰা বিলাপলৈ পৰিনত কৰিম। ১৫ ময়েই
যিহোৱা, তোমালোকৰ পবিত্ৰ জনা, ইস্ৰায়েলৰ সৃষ্টিকৰ্ত্তা, তোমালোকৰ
ৰজা।” ১৬ সমুদ্ৰৰ মাজেদি বাট, (মহাজলৰাশিৰ মাজেদি পথ যুগুত
কৰা যিহোৱাই এই কথা কৈছে, ১৭ ৰথ আৰু ঘোঁৰা, সৈন্য-সামন্ত
আৰু বীৰসকলক বাহিৰ কৰি অনা জন, তেওঁলোকে একেলগে শুলে,
তেওঁলোক আৰু নুঠে; আৰু তেওঁলোক লুপ্ত হ'ব, জ্বলি থকা শলিতাৰ
দৰে নুমাই যায়) ১৮ তোমালোকে পূৰ্বকালৰ কথা সোঁৱৰণ নকৰিবা,
আৰু পুৰণি কথাবোৰলৈ বিবেচনা নকৰিবা। ১৯ চোৱা, মই এক নতুন
কাৰ্য কৰিবলৈ উদ্যত; সেয়ে এতিয়া ঘটিব; তোমালোকে জানো তাক
নাজানিবা? মই অৰণ্যৰ মাজত পথ, আৰু মৰুভূমিৰ মাজত নদীবোৰ
উৎপন্ন কৰিম। ২০ বনৰীয়া জন্তুবোৰে, শিয়াল আৰু উট পক্ষীবোৰে
মোক সন্মান কৰিব; কাৰণ মই আৰণ্যত পানী দিলোঁ, মৰুভূমিত
নদী, ২১ এই লোকসকলক মোৰ নিজৰ বাবে নিৰ্মাণ কৰিলোঁ, যাতে
তেওঁলোকে মোৰ প্ৰশংসা গুণ কীৰ্ত্তন কৰিব পাৰে। ২২ কিন্তু হে

যাকোব, তুমি মোক হ'লে, আহ্বান কৰা নাই; আৰু হে ইস্ৰায়েল, তুমি
মোৰ পৰা আমনি পাইছা। ২৩ তুমি মোৰ ওচৰলৈ তোমাৰ মেৰ-ছাগ
জাকৰ পৰা এটাও মেৰ-ছাগ হোম বলিৰ বাবে নানিলা; নাইবা তুমি
বলিদানৰ দ্বাৰাই মোক সমাদৰ কৰা নাই। নৈবেদ্যেৰে কৰা সেৱাকৰ্ম
মই তোমাক কৰোঁৱা নাই, নাইবা ধূপ লগোৱাই তোমাক ক্লান্ত কৰা
নাই। ২৪ তুমি ধন দি মোৰ বাবে উত্তম সুগন্ধি কিনা নাই, নাইবা তুমি
তোমাৰ বলিৰ তেলেৰে মোক তৃপ্ত কৰা নাই; কিন্তু তোমাৰ পাপ বোৰৰ
দ্বাৰাই মোক ভাৰগ্ৰস্ত কৰিলা, আৰু তোমাৰ অপৰাধবোৰেৰে মোক
চিন্তিত কৰিলা। ২৫ মই, মইয়েই মোৰ নিজৰ বাবে তোমাৰ অধৰ্মবোৰ
মোচন কৰোঁ; আৰু তোমাৰ পাপবোৰ মই আৰু মনত নাৰাখিম; ২৬
কি হৈছিল তাৰ বাবে মোক সোঁৱৰণ কৰা; আহাঁ, আমি একেলগে
বাদানুবাদ কৰোঁহক; তুমি যাতে নিৰ্দ্দোষী প্ৰমাণিত হোৱা তাৰ বাবে
কাৰণ দৰ্শোৱা। ২৭ তোমাৰ আদিপিতৃয়ে পাপ কৰিলে, আৰু তোমাৰ
মূখ্যসকলে মোৰ বিৰুদ্ধে অধৰ্ম আচৰণ কৰিলে। ২৮ এই হেতুকে মই
পবিত্ৰীকৃত অধ্যক্ষসকলক অপবিত্ৰ কৰিম, মই যাকোবক সৰ্বনাশ আৰু
ইস্ৰায়েলক নিন্দাৰ বিষয় কৰিম।

**৪৪** মোৰ দাস যাকোব, আৰু মই মনোনীত কৰা ইস্ৰায়েল, এতিয়া
শুনা। ২ যিজনাই তোমাক নিৰ্ম্মাণ কৰিলে, আৰু তোমাক গৰ্ভত গঠন
কৰিলে, যিজনাই তোমাক সহায় কৰিব, সেই যিহোৱাই এই কথা
কৈছে, “হে মোৰ দাস যাকোব, আৰু মই মনোনীত কৰা যিচুৰূণ, ভয়
নকৰিবা।” ৩ কাৰণ মই তৃষ্ণাতুৰ ভূমিৰ ওপৰত পানী বৰষাম, আৰু
খৰাং ঠাইৰ ওপৰত নদী বোৱাম; মই তোমাৰ বংশৰ ওপৰত নিজ
আত্মা, তোমাৰ সন্তানৰ ওপৰত নিজৰ আশীৰ্ব্বাদ বাকি দিম। ৪
তাতে বোৱতী পানীৰ দাঁতিত উইল গছ বঢ়াৰ দৰে ঘাঁহবোৰৰ মাজত
সেইবোৰ গজি বাঢ়িব। ৫ এজনে ক'ব, মই যিহোৱাৰেই, আনজনে
নিজকে যাকোবৰ বুলি ক'ব, আৰু আন এজনে ‘মই যিহোৱাৰ হ'য়’এই
বুলি নিজৰ হাতত লিখিব, আৰু ইস্ৰায়েলৰ নামেৰে জনাজাত হ'ব।” ৬
ইস্ৰায়েলৰ ৰজাক, তেওঁৰ মুক্তিকৰ্ত্তা, বাহিনীসকলৰ যিহোৱাই এই
দৰে কৈছে; “ময়েই আদি, আৰু ময়েই অন্ত; মোৰ বাহিৰে আন কোনো

ঈশ্বৰ নাই। ৭ মোৰ দৰে কোন হ'য়? তেওঁক এই বিষয়ে বৰ্ণনা কৰি
মোক ক'ব দিয়া মোৰ প্ৰাচীন কালৰ লোকসকলক মই প্ৰতিষ্ঠা কৰাৰে
পৰা, সেই বিষয়বোৰ ঘটি আহিছে, আৰু আহিবলগীয়া ঘটনাৰ কথা
তেওঁলোকক ঘোষনা কৰিব দিয়া। ৮ তোমালোকে ভয় নকৰিবা বা
ভয়াতুৰ নহবা। মই জানো পূৰ্বৰে পৰা তোমালোকৰ আগত এই বিষয়ে
প্ৰকাশ আৰু ঘোষনা কৰা নাই? তোমালোকেই মোৰ সাক্ষী: মোৰ
বাহিৰে জানো আন কোনো ঈশ্বৰ আছে? আন কোনো শিলা নাই; মই
আন কাকো নাজানো।" ৯ কটা-মূৰ্ত্তি সাজোঁতাবোৰ সকলোৱে অসাৰ;
তেওঁলোকে আনন্দ কৰা বিষয়বোৰ মূল্যহীন; তেওঁলোকৰ সাক্ষীবোৰে
একো নেদেখে বা নাজানে, আৰু সেয়ে তেওঁলোকক লাজত পৰিব। ১০
মূল্যহীন দেৱতা বা কটা মূৰ্ত্তি কোনে নিৰ্ম্মাণ কৰিলে? ১১ চোৱা, তেওঁৰ
সকলো সহযোগী সকল লাজত পৰিব; শিল্পকাৰসকল কেৱল মানুহ
মাথোন। তেওঁলোকক একেলগহে থিয়ৈ থাকিব দিয়া; তেওঁলোক
কাপুৰুষ আৰু তেওঁলোকে লাজ পাব। ১২ কমাৰে তেওঁৰ সজুলিৰে
সৈতে কাম কৰে, তেওঁ লোহাৰ অস্ত্ৰ আঙঠাৰ ওপৰত দি নিৰ্ম্মাণ কৰে।
তেওঁ হাতুৰীৰে তাক গঢ় দিয়ে, আৰু নিজৰ বলবান হাতেৰে তাক
বনায়। তেওঁ ভোকাতুৰ হয়, আৰু তেওঁৰ বল হ্ৰাস পায়, তেওঁ পানী
নাখায় আৰু মূৰ্ছা যায়। ১৩ বাঢ়ৈয়ে কাঠ ৰেখা টানি ৰঙা জোখে, আৰু
লিখনিৰে সৈতে তাত চিন দিয়ে। তেওঁ কম্পাচেৰে সৈতে চিন দি
সজুলিৰে সৈতে তাক গঢ় দিয়ে, তেওঁ আকৰ্ষণীয় মানুহৰ আকৃতিৰে
তাক গঢ় দিয়ে, যাতে তাক মন্দিৰত থ'ব পাৰে। ১৪ তেওঁ এৰচ গছ
কাটে; বা তেওঁ দেবদাৰু (চাইপ্ৰাচ) আৰু ওক গছ বাছি লয়; সি অৰণ্যৰ
পৰা গছবোৰ নিজৰ বাবে লয়। ফাৰ গছ ৰোৱে, আৰু বৰষুণে তাক
বৃদ্ধি কৰে। ১৫ তাৰ পাছত মানুহে তাক জুইৰ বাবে ব্যৱহাৰ কৰে, আৰু
নিজে শেক লয়। হয়, তেওঁ জুই জ্বলায়; আৰু তাত পিঠা শেকে। তেওঁ
তাৰে এটা দেৱতা নিৰ্ম্মাণ কৰি তাৰ আগত প্ৰণিপাত কৰে, আৰু তেওঁ
এটা মূৰ্ত্তি সাজি তাৰ আগত প্ৰণিপাত কৰে। ১৬ তেওঁ জুইৰ বাবে সেই
কাঠৰ এভাগ পোৰে, তাৰ ওপৰত মঙহ পোৰে। তেওঁ তাক ভোজন
কৰি তৃপ্ত হয়। তেওঁ নিজকে প্ৰাণবন্ত কৰি ক'য়, ও মই প্ৰাণবন্ত হৈছোঁ,

মই জুই দেখিছোঁ।” ১৭ তাৰ অৱশিষ্ট কাঠেৰে তেওঁ এক দেৱতা নির্মাণ
কৰিলে, তেওঁ তাৰ আগত প্রণিপাত কৰে, আৰু তাক সন্মান কৰে, আৰু
তাৰ আগত প্রশংসা কৰি কয়, “মোক উদ্ধাৰ কৰা; কাৰণ তুমি মোৰ
দেৱতা।” ১৮ তেওঁলোকে নাজানে, আৰু তেওঁলোকে নুবুজে; কাৰণ
তেওঁলোক চকু অন্ধ আৰু দেখা নাপায়, আৰু তেওঁলোকৰ হৃদয় অনুভৱ
নকৰে। ১৯ কোনো এজনে নাভাৰে নাইবা তেওঁলোকে হৃদয়ঙ্গম
নকৰে আৰু ক'য়, মই সেই কাঠৰ এটা অংশ জুইত পুৰিলোঁ, হয়,
তাৰ আঙঠাৰ ওপৰত মই পিঠা শেকিলোঁ, আৰু মই তাৰ আঙঠাৰ
ওপৰত মাংস খৰিকাত দি খালোঁ। এতিয়া তাৰ অৱশিষ্ট ভাগেৰে সেৱা
কৰিবলৈ মই কিবা এটা ঘিণলগীয়া বস্তু সাজিম নে? কাঠডোখৰৰ
আগত মই প্রণিপাত কৰিম নে?” ২০ এইটো তেওঁ ছাঁই ভোজন কৰাৰ
দৰে; তেওঁক প্রবঞ্চক হৃদয়ে বিপথে নিয়ে। তেওঁ নিজৰ প্রাণক উদ্ধাৰ
কৰিব নোৱাৰে, নাইবা তেওঁ ক'য়, “মোৰ সোঁ হাতে থকা এই বস্তু
অনর্থক দেৱতা।” ২১ হে যাকোব, আৰু ইস্রায়েল, এই বিষয়ে চিন্তা
কৰা; কাৰণ তুমি মোৰ দাস: মই তোমাক নির্মাণ কৰিলোঁ; তুমি মোৰ
দাস; হে ইস্রায়েল মই তোমাক নাপাহৰিম। ২২ তোমাৰ ঘন মেঘৰ
দৰে অপৰাধবোৰ, আৰু তোমাৰ মেঘৰ দৰে পাপবোৰ মচি পেলাম;
তুমি মোলৈ ঘূৰি আহাঁ, কিয়নো মই তোমাক মুক্ত কৰিলোঁ। ২৩ হে
আকাশ মণ্ডল গান কৰা, কাৰণ যিহোৱাই এই কার্য সিদ্ধ কৰিলে; হে
পৃথিবীৰ অধঃস্থান, জয়ধ্বনি কৰা; হে পর্বতবোৰ, হে অৰণ্য আৰু তাৰ
মাজত থকা সকলো গছ, আনন্দ গান কৰি উৎফলিত হোৱা; কিয়নো
যিহোৱাই যাকোবক মুক্ত কৰিলে, আৰু ইস্রায়েলৰ মাজত নিজৰ গৌৰৱ
প্রকাশ কৰিব। ২৪ তোমাৰ মুক্তিদাতা, আৰু তোমাক গর্ভত গঠন কৰা
যিহোৱাই এই কথা কৈছে, “মইয়ে যিহোৱা যি সকলো সৃষ্টি কৰিলে, যি
জনাই অকলেই আকাশ মণ্ডল বিস্তাৰ কৰিলে, আৰু যি জনাই অকলেই
পৃথিৱী সজালে, ২৫ যি জনাই অনর্থক কথা কোৱাসকলৰ লক্ষণবোৰ
ব্যৰ্থ কৰে, মঙ্গলতীবোৰক বলীয়া কৰে, আৰু যি সকলে মঙ্গল চাই
তেওঁলোকক অপমান কৰে, আৰু মই সেই জন যি জনে জ্ঞানীসকলৰ
প্রজ্ঞা বিপর্যস্থ কৰে, আৰু তেওঁলোকৰ পৰামর্শ মুৰ্খতালৈ ৰূপান্তৰিত

কৰে। ২৬ মইয়ে যিহোৱা যি জনে নিজৰ দাসৰ কথা সিদ্ধ কৰে, আৰু
নিজৰ দূতৰ পৰামৰ্শ সিদ্ধ কৰে, যি জনাই যিৰূচালেমৰ বিষয়ে কয়,
'সেয়ে বসতিৰ ঠাই নহ'ব,' আৰু যিহূদাৰ নগৰবোৰৰ বিষয়ে কয়,
'সেইবোৰ পুনৰ নিৰ্মাণ কৰা হ'ব, আৰু তাৰ বিধস্ত হোৱা ঠাইবোৰ
পুনৰ স্থাপন কৰিম, ২৭ যি জনাই অগাধ সমূদ্ৰক কয়, 'শুকাই যা, আৰু
মই তোৰ সোঁতবোৰ শুকুৱাম, ২৮ যি জনাই কোৰচৰ বিষয়ে কয়,
'তেওঁ মোৰ মেৰ-ছাগ ৰখীয়া, আৰু মোৰ সকলো বাঞ্ছা সিদ্ধ কৰিব,'
তেওঁ যিৰূচালেমৰ বিষয়েও কয়, 'তাক পুনৰ নিৰ্মাণ কৰা হওক,' আৰু
মন্দিৰৰ বিষয়ে কয়, 'তোমাৰ ভিত্তিমূল স্থাপন কৰা হওক',"

**৪৫** যাৰ সন্মুখত সকলো জাতিবোৰৰ বশীভূত কৰিবলৈ মই তেওঁৰ
সোঁ হাত ধৰিছোঁ, দুৱাৰবোৰ পুনৰায় জাপ নোখোৱাকৈ যাৰ আগত সেই
দুৱাৰবোৰ মুকলিকৈ ৰাখিবলৈ ৰজাসকলক অস্ত্ৰহীন কৰিম, যিহোৱাই
নিজৰ অভিষিক্ত কোৰচক এই কথা কৈছে, ২ মই তোমাৰ আগে আগে
যাম আৰু পৰ্ব্বতবোৰ সমান কৰিম, মই পিতলৰ দুৱাৰবোৰ ভাঙি
ডোখৰ ডোখৰ কৰিম, আৰু লোহাৰ ডাংবোৰ কাটি টুকুৰা টুকুৰ কৰিম।
৩ মই যে তোমাৰ নাম কাঢ়ি মাতোঁতা ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱা, তুমি
তাক জানিবৰ বাবে, মই আন্ধাৰত থকা ধন আৰু গুপুত ঠাইত লুকুৱাই
থোৱা বহুমূল্য বস্তু তোমাক দিম। ৪ মোৰ দাস যাকোবৰ আৰু মোৰ
মনোনীত ইস্ৰায়েলৰ বাবে, যদিও তুমি মোক নাজানা, তথাপিও মই
তোমাক নাম ধৰি মাতিলোঁ আৰু সন্মানীয় উপাধি দিলোঁ। ৫ ময়েই
যিহোৱা, সেইস্হানত আন কোনো নাই; মোৰ বাহিৰে কোনো ঈশ্বৰ
নাই। ৬ সূৰ্য উদয় হোৱা ঠাইৰে পৰা পশ্চিম ফাললৈকে সকলো লোকে
মোৰ বাহিৰে যে কোনো ঈশ্বৰ নাই তাক যেন জানিব পাৰে: ময়েই
যিহোৱা, আন কোনো নাই। ৭ মই পোহৰ সৃষ্টি কৰোঁ, আৰু অন্ধকাৰ
সৃজন কৰোঁ, মই শান্তি স্থাপন কৰোঁ, আৰু দুৰ্যোগ সৃষ্টি কৰোঁ, মই এই
সকলোকে সিদ্ধ কৰোঁতা যিহোৱা। ৮ হে গগন মণ্ডল, ওপৰৰ পৰা
তুমিয়ে বৰষুন বৰষোৱা! বৰষুন স্বৰূপে আকাশৰ পৰা তুমিয়ে ধাৰ্মিকতা
ৰূপ পৰিত্ৰান বৰষোৱা। পৃথিবীয়ে ইয়াক শুহি লওক, সেই পৰিত্ৰাণ
যেন লহপহকৈ বাঢ়িব; আৰু ধৰ্মপৰায়ণতা ইয়াৰ সৈতে একেলগে উদ্ভৱ

হওক। মই, যিহোৱাইয়ে দুয়োকো সৃষ্টি কৰিলোঁ। ৯ যি কোনোৱে
নিজৰ নিৰ্মাণকৰ্ত্তাৰ লগত বাদানুবাদ কৰে, তেওঁৰ সন্তাপ হ'ব! তেওঁ
পৃথিবীৰ সকলো মাটিৰ খোলাকটিবোৰৰ মাজৰ এডোখৰ খোলাকটি
মাথোন! 'তুমি কি কৰিছা?' এই বুলি জানো কুমাৰ জনক মাটিয়ে ক'ব?
বা 'তুমি কি বনাইছা- যেতিয়া তুমি এইটো কৰিছিলা তেতিয়া তোমাৰ
অধিকাৰ নাছিল নেকি?' তাৰ হাত নাই, এই বুলি জানো তোমাৰ সজা
বস্তুৱে ক'ব? ১০ 'আপুনি জন্মদাতা ৰূপে কি কৰিছে?' এই বুলি যি
জনে পিতৃক, বা 'আপুনি কি জন্ম দিছে?' এই বুলি মহিলাক কয়,
তেওঁৰ সন্তাপ হ'ব। ১১ ইস্রায়েলৰ পবিত্ৰ ঈশ্বৰ জনা, নিৰ্মাণকৰ্ত্তা
যিহোৱাই এই কথা কৈছে: আগলৈ হ'ব লগা ঘটনাৰ বিষয়ে, আৰু
মোৰ সন্তান সকলৰ বিষয়ে মোক প্ৰশ্ন কৰিছানে? মোৰ হাতৰ কাৰ্যৰ
বিষয়ে কি কৰিম তোমালোকে মোক কৈছানে?' ১২ মইয়ে পৃথিৱী
সৃষ্টি কৰিলোঁ, আৰু তাত মনুষ্য সৃষ্টি কৰিলোঁ। ময়েই নিজ হাতেৰে
আকাশ-মণ্ডল বিস্তাৰ কৰিলোঁ; আৰু সকলো তৰাবোৰক দৃষ্টিগোচৰ
হবলৈ মই আজ্ঞা দিলোঁ। ১৩ বাহিনীসকলৰ যিহোৱাই এই কথা কৈছে,
মই ন্যায়পৰায়ণতাত কোৰচক আলোড়িত কৰিলোঁ, আৰু মই তেওঁৰ
সকলো পথ সমান কৰিম। তেঁৱেই মোৰ নগৰখন নিৰ্মান কৰিব, আৰু
বিনামূল্যে কি বিনা ভেঁটিয়ে মোৰ দেশান্তৰিত লোকসকলক পঠাই
দিব।'" ১৪ যিহোৱাই এইদৰে কৈছে, "মিচৰৰ পৰিশ্ৰম ফল আৰু
কুচ দেশৰ বাণিজ্যদ্ৰব্য আৰু দীৰ্ঘকায়ী চবায়ীয়া লোকক তোমাৰ
ওচৰলৈ অনা হ'ব। তেওঁলোক তোমাৰেই হ'ব। তেওঁলোক তোমাৰ
পাছত চলোঁতা হ'ব; তেওঁলোক শাৰী পাতি আহিব। তেওঁলোকে
তোমাৰ আগত প্ৰণিপাত কৰি এই বুলি প্ৰাৰ্থনা কৰিব, 'নিশ্চয়ে তোমাৰ
লগত ঈশ্বৰ আছে; তেওঁৰ বাহিৰে আন কোনো ঈশ্বৰ নাই।'" ১৫ হে
ইস্রায়েলৰ ঈশ্বৰ, ত্ৰাণকৰ্ত্তা, নিশ্চয়ে আপুনি নিজকে গোপন ৰাখোঁতা
ঈশ্বৰ। ১৬ মুৰ্ত্তি সাজোঁতাসকলে অপমান পাব, তেওঁলোকে লাজ পাব
আৰু অপদস্থ হ'ব। ১৭ কিন্তু ইস্রায়েলে যিহোৱাৰ দ্বাৰাই অনন্তকলীয়া
পৰিত্ৰাণেৰে ৰক্ষিত হ'ব; তোমালোক পুনৰ লজ্জিত বা অপমানিত
নহ'বা। ১৮ কোনে পৃথিৱী সৃষ্টি কৰিলে আৰু গঠন কৰিলে কোনে তাক

স্থাপন কৰিলে। তেওঁ অনৰ্থকৰূপে সৃষ্টি কৰা নাই, কিন্তু বাসস্থানৰ
বাবেহে তাক নিৰ্মাণ কৰিলে, আকাশ মণ্ডল সৃষ্টি কৰা সেই সত্য ঈশ্বৰ
যিহোৱাই এই কথা কৈছে, ময়েই যিহোৱা, মোৰ কোনো সমকক্ষ নাই।
১৯ মই গুপুতে অন্ধকাৰময় কোনো ঠাইত কথা কোৱা নাই; ‘মোক
নিৰৰ্থক ভাবে বিচাৰা,’ এই বুলি মই যাকোবৰ বংশক কোৱা নাই! মই
যিহোৱাই, যি আন্তৰিকতাৰে কওঁ, যি সত্য মই তাক ঘোষনা কৰোঁ।
২০ জাতিবোৰৰ মাজৰ শৰণাৰ্থীসকল, তোমালোক একগোটহৈ নিজকে
সমবেত কৰা আৰু আহাঁ! যিসকলে কটা প্ৰতিমা ভাৰ বৈ ফুৰে, আৰু
ৰক্ষা কৰিব নোৱাৰা দেৱতাৰ আগত প্ৰাৰ্থনা কৰে, তেওঁলোকৰ কোনো
জ্ঞানো নাই। ২১ ওচৰলৈ আহা আৰু মোৰ আগত এইতো ঘোষনা
কৰা, প্ৰমান আনা! তেওঁলোকক একেলগে মিলিত হবলৈ দিয়া। কোনে
আগৰ পৰা এইসকলো দেখুৱাই আহিছে? কোনে ঘোষনা কৰিছে?
মই যিহোৱাই নহয়নে? মোৰ বাহিৰে আন কোনো ঈশ্বৰ নাই, মই
ন্যায়ৱান ঈশ্বৰ, আৰু ত্ৰাণকৰ্ত্তা; মোৰ বাহিৰে আন কোনো নাই। ২২
পৃথিবীৰ অন্তলৈকে থকা সকল, মোলৈ ঘুৰি আহা আৰু পৰিত্ৰাণপ্ৰাপ্ত
হোৱা; কাৰণ ময়েই ঈশ্বৰ, আৰু ইয়াত আন কোনো দেৱতা নাই। ২৩
মোৰ আগত প্ৰত্যেকে আঁঠু ল’ব, প্ৰত্যেক জীবাই শপত খাব; মই
নিজেই শপত খালোঁ; মোৰ ন্যায়পৰায়ণ বিধানৰ কথা কলোঁ, আৰু
সেয়ে পুনৰ ঘুৰি নাহিব। ২৪ লোকসকলে ক’ব “কেৱল যিহোৱাত হে
পৰিত্ৰান আৰু শক্তি আছে।” যিসকলো তেওঁৰ প্ৰতি কুপিত তেওঁলোক
তেওঁৰ সন্মুখত লাজত সঙ্কুচিত হ’ব। ২৫ যিহোৱাতেই ইস্ৰায়েলৰ
আটাই বংশ ধাৰ্মিক বুলি গণিত হ’ব, আৰু তেওঁত গৌৰৱ কৰিব।

**৪৬** বেল দেৱতা মুৰ্ত্তিবোৰ নত হ’ল, নবো মুৰ্ত্তিবোৰ দোঁ খালে,
সেইবোৰ গধুৰ হোৱা বাবে কঢ়িয়াই নিয়া জন্তুবোৰ নিম্নগামী হ’ল।
এই কঢ়িয়াই নিয়া মুৰ্ত্তিবোৰ ভাগৰুৱা জন্তুৰ বাবে গধুৰ বোজা হ’ল। ২
একেলগে সিহঁত নত হ’য়, আঠু কাঢ়ে; সিহঁতে প্ৰতিমাবোৰ উদ্ধাৰ
কৰিব নোৱাৰে; কিন্তু সিহঁত নিজেও বন্দী অৱস্থালৈ যায়। ৩ গৰ্ভৰ
পৰা আৰু জন্মৰ আগৰে পৰা যিসকলক মই কঢ়িয়াই আনিছো: সেই
যাকোবৰ বংশ আৰু ইস্ৰায়েলৰ বংশৰ অৱশিষ্ট লোকসকল, মোৰ

কথা শুনা। ৪ আনকি তোমালোকৰ বৃদ্ধ অৱস্থালৈকে মইয়ে সেই
জন, আৰু চুলি নপকা প্ৰয্যন্ত ময়েই তোমালোকক কঢ়িয়াম; ময়েই
তোমালোকক সৃষ্টি কৰিলোঁ, আৰু ময়েই তোমালোকক পোহপাল
দিম; মই তোমালোকক সুৰক্ষিত স্হানলৈ লৈ যাম। ৫ তোমালোকে
মোক কাৰ সৈতে তুলনা কৰিবা? আৰু মই কাৰ সাদৃশ, সেয়ে জানো
আমাক তুলনা কৰিব পাৰিব? ৬ লোকসকলে মোনাৰ পৰা সোণ ঢালি
দিয়ে আৰু তৰ্জুত ৰূপ জোখে। তেওঁলোকে তাৰ দ্বাৰাই এক দেৱতা
নিৰ্মাণ কৰিবলৈ সোণাৰীক বেচ দিয়ে; তেওঁলোকে সেই দেৱতাক
প্ৰণিপাত কৰে, আৰু পূজাও কৰে। ৭ তেওঁলোকে তাক তেওঁলোকৰ
কান্ধত উঠাই আৰু কঢ়িয়াই লৈ যায়, তেওঁলোকে নিজ ঠাইত তাক
স্থাপন কৰে; তাতে সি থিয় হৈ থাকে, আৰু নিজৰ ঠাইৰ পৰা লৰচৰ
নহয়। তেওঁলোকে তাৰ আগত কান্দে, কিন্তু উত্তৰ দিব নোৱাৰে,
নাইবা তেওঁলোকক সঙ্কটৰ পৰা উদ্ধাৰ কৰিবও নোৱাৰে। ৮ হে
তোমালোক বিদ্ৰোহীসকল এই বিষয়ে চিন্তা কৰা; কেতিয়াও প্ৰত্যাখ্যান
নকৰিবা ৯ সময়ৰ সৈতে পাৰ হৈ যোৱা আগৰ কথাবোৰ সোঁৱৰণ
কৰা; কাৰণ ময়েই ঈশ্বৰ, আৰু আন কোনো নাই; ময়েই ঈশ্বৰ, মোৰ
তুল্য কোনো নাই। ১০ মই আৰম্ভণিৰে পৰা শেষৰ কথা ঘোষনা
কৰিছোঁ, আৰু আগতিয়াকৈ সেইবোৰ এতিয়াও ঘটা নাই; মই কৈছো
“মোৰ পৰিকল্পনা সিদ্ধ কৰিম, আৰু মই যি দৰে ইচ্ছা কৰোঁ সেই দৰে
কৰিম।” ১১ মই পূব দিশৰ পৰা এক হিংসুক চৰাইক, দূৰ দেশৰ পৰা
মোৰ মনোনীত পুৰুষক মাতিম; হ'য় মই কলোঁ; মই তাক সিদ্ধ কৰিম;
মোৰ উদ্দেশ্য আছে, মইয়ো কৰিম। ১২ সুকাৰ্য্যৰ পৰা দূৰৈত থাকা
জেদী লোকসকল মোৰ কথা শুনা। ১৩ মই মোৰ ধাৰ্মিকতা ওচৰলৈ
আনো; এইটো দূৰত নাথাকে, আৰু মোৰ পৰিত্ৰাণে বাট নাচায়; আৰু
মই চিয়োনক পৰিত্ৰান আৰু ইস্রায়েলক মোৰ সৌন্দৰ্য্য দিম।

**৪৭** হে বাবিলৰ কুমাৰী জীয়াৰী, তুমি নামি আহা, আৰু ধুলিত বহা;
হে কলদীয়া জীয়াৰী, সিংহাসনৰ অবিহনে, মাটিত বহা। তোমাক
ধুনীয়া আৰু লাহী বুলি পুনৰায় কোৱা নাযাব। ২ জাঁত লোৱা আৰু আটা
পিহি গুৰি কৰা, তোমাৰ ওৰণি গুচুউৱা, তোমাৰ তললৈকে ওলমি

যোৱা কাপোৰ সোলোকাই থোৱা, তোমাৰ ভৰিৰ আৱৰণ গুচাই নদী
পাৰ হোৱা। ৩ তোমাৰ বিৱস্ত্ৰতা প্ৰকাশ পাব, হ'য়, তোমাৰ লাজ দেখা
যাব: মই প্ৰতিশোধ ল'ম, আৰু কোনো পুৰুষক ক্ষমা নকৰিম। ৪ আমাৰ
মুক্তিদাতাৰ নাম, বাহিনীসকলৰ যিহোৱা, ইস্ৰায়েলৰ পবিত্ৰ ঈশ্বৰ
জনা। ৫ হে কলদীয়া জীয়াৰী, নিজম দি বহা, আৰু আন্ধাৰৰ মাজলৈ
যোৱা; কাৰণ তোমাক আৰু ৰাজ্যবোৰৰ ৰাণী বুলি মতা নহ'বা। ৬ মই
মোৰ প্ৰজাসকলৰ ওপৰত ক্ৰোধ কৰিলোঁ, মই মোৰ আধিপত্য অপবিত্ৰ
কৰিলোঁ; আৰু তেওঁলোকক আপোনাৰ হাতত দিলোঁ, কিন্তু আপুনি
তেওঁলোকলৈ একো দয়া নেদেখুৱালে, আপুনি বৃদ্ধসকলৰ ওপৰত
অতি গধুৰ যুৱলি দিলে। ৭ তুমি ক'লা, “মই চিৰকাললৈকে একচ্ছত্ৰী
ৰাণী হৈ থাকিম;” এই কাৰণে তুমি এইবোৰ কথাত মনোযোগ দিয়া
নাই, নাইবা তেওঁলোকক কেনেকৈ উলিয়াই দিবা সেই বিষয়ে ভবা
নাই। ৮ নিশ্চিন্ত মনে বহি থকা হে ইন্দ্ৰিয়াসক্ত, সেইয়ে তুমি এতিয়া
এই কথা শুনা, তুমি নিজৰ মনতে কৈছা, “মই বৰ্তি আছোঁ, মোৰ দৰে
আন কোনো নাই; মই কেতিয়াও বিধৱা হৈ নাথাকিম, নাইবা সন্তান
হানি হোৱা অনুভৱ নকৰিম।” ৯ কিন্তু এই দুয়োটা বিষয়েই তোমালৈ
এদিনতে ঘটিব: তোমাৰ অধিক মায়াকৰ্ম আৰু তোমাৰ অনেক তন্ত্ৰ মন্ত্ৰ
থকা স্বতেও, সন্তান হানি আৰু বৈধব্য, সম্পূৰ্ণ শক্তিৰে তোমালৈ ঘটিব।
১০ তুমি তোমাৰ দুষ্টতাত নিৰ্ভৰ কৰিছা; তুমি কোৱা “মোক কোনেও
নেদেখে;” তোমাৰ প্ৰজ্ঞা আৰু তোমাৰ জ্ঞানেই তোমাক বিপথগামী
কৰিলে; কিন্তু তুমি মনতে কোৱা, “মই বৰ্তি আছোঁ, মোৰ দৰে আন
কোনো নাই।” ১১ বিপৰ্যয়ে তোমাক পৰাজিত কৰিব; তুমি তন্ত্ৰ-মন্ত্ৰেৰে
তাক দূৰ কৰিব নোৱাৰিবা। বিপৰ্যয় তোমাৰ ওপৰত পৰিব; তুমি
তাৰ পৰা ৰক্ষা পাবলৈ সক্ষম নহবা। তুমি জনাৰ পূৰ্বেই, দুৰ্যোগে
তোমাক আঘাত কৰিব। ১২ যি তন্ত্ৰ মন্ত্ৰ আৰু মায়াকৰ্মবোৰত তুমি
লাগি আছিলা সৰু কালৰে পৰা যিবোৰ বিশ্বাসেৰে আবৃত্তি কৰিলা,
সেইবোৰত লাগি থাকা; হয়তো তুমি জয়ী হ'ব পাৰা, হয়তো তুমি
দুৰ্যোগৰ আতঙ্ক দুৰ কৰিব পাৰা। ১৩ তুমি অনেক পৰামৰ্শৰ সৈতে
ভাগৰি পৰিছা; সেই লোকসকলক ঠিয় হ'ব দিয়া যিসকলে গ্ৰহ নক্ষত্ৰ

আৰু তৰা গণনা কৰে তোমাক উদ্ধাৰ কৰিব, নতুন জোন ঘোষনা
কৰাসকলক তোমালৈ যি যি ঘটিব, তাৰ পৰা তোমাক উদ্ধাৰ কৰিব
দিয়া। ১৪ চোৱা, তেওঁলোক খেৰৰ দৰে হ'ব; তেওঁলোকক জুইয়ে
পুৰি পেলাব, তেওঁলোকে অগ্নিশিখাৰ পৰা নিজৰ প্ৰাণ উদ্ধাৰ কৰিব
নোৱাৰিব; সেয়ে উম লবলৈ, বা আগত বহি জুই ফুঁৱাবলৈ তাত কোনো
আঙঠা নাথাকিব। ১৫ সেইবোৰ তোমাৰ কাৰণে একো নহয় কিন্তু
কঠোৰ পৰিশ্ৰম মাথো, যিসকলৰ সৈতে সৰু কালৰে পৰা তুমি বেপাৰ
বাণিজ্য কৰিলে, তেওঁলোক প্ৰতিজনে দিহাদিহি গুচি যাব, তোমাক
উদ্ধাৰকৰিবলৈ কোনো নাথাকিব।

**৪৮** হে ইস্ৰায়েল নামেৰে প্ৰখ্যাত, আৰু যিহূদাৰ জল সমূহৰ পৰা
উৎপন্ন হোৱা যাকোবৰ বংশ, এই কথা শুনা, যিসকলে যিহোৱাৰ
নাম লৈ শপত খায়, ইস্ৰায়েলৰ ঈশ্বৰৰ ওচৰত সাহায্য প্ৰাৰ্থনা কৰে,
কিন্তু আন্তৰিকতাৰে বা সত্যনিষ্ঠাৰে নকৰে। ২ কাৰণ তেওঁলোকে
নিজকে পবিত্ৰ নগৰ লোক বুলি কয়, আৰু বাহিনীসকলৰ যিহোৱাৰ
নামেৰে প্ৰখ্যাত ইস্ৰায়েলৰ ঈশ্বৰত বিশ্বাস কৰে। ৩ মই বহু দিনৰ
আগৰে পৰা কথাবোৰ ঘোষনা কৰিলোঁ; এনে কি, সেইবোৰ মোৰ
মূখৰ পৰা ওলাল, আৰু মই সেইবোৰ জানিবলৈ দিলোঁ; অকস্মাৎ মই
সেইবোৰ সিদ্ধ কৰিলোঁ, আৰু সেইবোৰ ঘটি উঠিল। ৪ কাৰণ মই
জানো, যে, তুমি অবাধ্য, তোমাৰ ডিঙিৰ মাংসপেশী লোহাৰ দৰে টান,
আৰু তোমাৰ কপাল পিতলস্বৰূপ, ৫ এই হেতুকে মই ইতিপূৰ্বে তাক
তোমাৰ আগত প্ৰকাশ কৰিলোঁ; সেইবোৰ ঘটাৰ পূৰ্বেই মই তোমাক
জনালোঁ, যাতে তুমি নোকোৱা “সেইবোৰ মোৰ মূৰ্ত্তিয়ে কৰিলে,”
বা “মোৰ কটা প্ৰতিমাই মোৰ সাঁচত ঢলা মূৰ্ত্তিয়ে সেইবোৰ আজ্ঞা
কৰিলে।” ৬ তুমি এই কথাৰ বিষয়ে শুনিলা; তুমি এই সকলো সাক্ষ্য
চোৱা; আৰু মই যি কৈছিলোঁ তাক জানো সত্য বুলি স্বীকাৰ নকৰিবা?
এতিয়াৰে পৰা মই তোমাক নতুন বিষয়বোৰ, তুমি আগেয়ে নজনা
গুপ্ত বিষয়বোৰ তোমাক দেখুৱাও। ৭ সেইবোৰ এতিয়া স্ৰজন কৰা
হ'ল, আগৰ পৰা নাছিল, আজিৰ আগতে তুমি সেইবোৰৰ বিষয়ে শুনা
নাছিল, এই বুলি তুমি নকবৰ নিমিত্তে, আজিৰ পূৰ্বতে সেইবোৰ শুনা

নাছিল, সেয়ে তুমি ক'ব নোৱাৰা যে, “হ'য় মই এই বিষয়ে জানো।” ৮
তুমি কেতিয়াও শুনা নাই, জনাও নাই, তোমালোকে শুনিবৰ বাবে
এইবোৰ কথা আগেয়ে মুকলি হোৱা নাছিল। কাৰণ মই জানো, যে
তুমি অতি প্ৰবঞ্চক, আৰু সেই তুমি জন্মৰে পৰা বিদ্ৰোহী। ৯ মই
তোমাক উচ্ছন্ন নকৰিবৰ বাবে মই মোৰ নামৰ কাৰণে ক্ৰোধ স্হগিত
ৰাখিম, আৰু মোৰ সন্মানৰ কাৰণে কুন্ঠাবোধ কৰিম। ১০ চোৱা, মই
তোমাক সংশোধিত কৰিম, কিন্তু ৰূপৰ দৰে নহয়; অত্যন্ত যন্ত্ৰণাত
অগ্নিশালত মই তোমাক শুদ্ধ কৰিম। ১১ মই নিজৰ কাৰণে, কেৱল
নিজৰ কাৰণে কাৰ্য কৰিম; কাৰণ মোৰ নাম কেনেকৈ অসন্মানিত
হ'বলৈ দিব পাৰোঁ? মই মোৰ গৌৰৱ অন্য কাকো নিদিম। ১২ হে
মোৰ আমন্ত্ৰিত যাকোব আৰু ইস্ৰায়েল, মোৰ কথা শুনা; মইয়ে তেওঁ,
মইয়ে আদি, মইয়ে অন্তও। ১৩ হ'য়, মোৰ হাতে পৃথিৱীৰ ভিত্তিমূল
স্থাপন কৰিলে, আৰু মোৰ সোঁহাতে আকাশ মণ্ডল বিস্তাৰ কৰিলে;
মই যেতিয়া তেওঁলোকক মাতো, তেওঁলোক একেলগে থিয় হয়। ১৪
তোমালোক সকলোৱে নিজকে সমবেত কৰা, আৰু শুনা; তোমালোকৰ
মাজৰ কোনে এইবোৰ কথা প্ৰকাশ কৰিলে? বাবিলৰ বিৰুদ্ধে যিহোৱা
আৰু তেওঁৰ মিত্ৰই তেওঁৰ উদ্দেশ্য পূৰ্ণ কৰিব। তেওঁ কলদীয়াসকলৰ
বিৰুদ্ধে যিহোৱাৰ ইচ্ছা পূৰ্ণ কৰিব। ১৫ মই, মইয়েই কথা ক'লোঁ,
হ'য়, ময়েই সেই জনক মাতিলোঁ, ময়েই সেই জনক আনিলোঁ; আৰু
তেওঁ কৃতকাৰ্য্য হ'ব। ১৬ তোমালোকে মোৰ ওচৰলৈ আহি এই কথা
শুনা; মই আদিৰে পৰা গুপুতে কথা কোৱা নাই; এই ঘটনা যেতিয়া
ঘটে, মই তাতে আছোঁ, এতিয়া প্ৰভু যিহোৱাই নিজ আত্মা দি মোক
পঠালে। ১৭ তোমাৰ মুক্তিদাতা ইস্ৰায়েলৰ পবিত্ৰ ঈশ্বৰ যিহোৱাই
এই কথা কৈছে: “মই তোমালোকৰ ঈশ্বৰ যিহোৱা, যিজনে তোমাক
কৃতকাৰ্য হবলৈ শিকাই, তোমালোকৰ যাবলগীয়া পথত যিজনে চলাই
নিয়ে। ১৮ যদি তোমালোকে কেৱল মোৰ আজ্ঞাবোৰ মানি চলিলা হয়!
তোমালোকৰ শান্তি আৰু উন্নতি নদীৰ দৰে প্ৰবাহিত হ'ল হয়, আৰু
তোমাৰ পৰিত্ৰান সমুদ্ৰৰ ঢৌৰ দৰে হ'ল হয়। ১৯ তোমালোকৰ বংশ
বালিৰ দৰে অসংখ্য, আৰু তোমালোকৰ ঔৰসত জন্মা সন্তান বালিৰ

কণিকা সমূহৰ দৰে অসংখ্য হ'লহেঁতেন; তেওঁলোকৰ নাম মোৰ আগৰ
পৰা লুপ্ত বা নষ্ট নহ'ব। ২০ বাবিলৰ পৰা ওলাই আহা! কলদীয়াসকলৰ
মাজৰ পৰা পলাই যোৱা! উচ্চ ধ্বনিৰে ইয়াক প্ৰকাশ কৰা! ইয়াক
জানিবলৈ দিয়া, পৃথিৱীৰ সীমালৈকে প্ৰচাৰ কৰা! তোমালোকে কোৱা,
'যিহোৱাই নিজ দাস যাকোবক মুক্ত কৰিলে।'" ২১ যেতিয়া তেওঁ
তেওঁলোকক শুকান ভুমিয়েদি লৈ গৈছিল, তেতিয়া তেওঁলোকৰ পিয়াহ
লগা নাছিল; তেওঁ তেওঁলোকৰ বাবে শিলটোৰ পৰা পানী বোৱালে,
আৰু তেওঁ শিলটো ফালিলত জল সমূহ বেগেৰে ওলাল। ২২ যিহোৱাই
কৈছে, "দুষ্ট লোকসকলৰ কাৰণে কোনো শান্তি নাই।"

**৪৯** হে দ্বীপবাসী, মোৰ বাক্য শুনা! আৰু দূৰত থকা লোকসকল,
মনোযোগ দিয়া। যিহোৱাই মোক জন্ম হোৱা দিনৰ পৰা, যেতিয়া মোৰ
মাতৃয়ে মোক পৃথিবীলৈ আনিলে তেতিয়াৰ পৰা মাতিলে। ২ তেওঁ
মোৰ মুখ চোকা তৰোৱালৰ দৰে কৰিলে, তেওঁ নিজৰ হাতৰ ছাঁত
মোক লুকুৱাই থলে; তেওঁ মোক শানত দিয়া কাঁড় কৰিলে, তেওঁ নিজৰ
তূণৰ ভিতৰত মোক লুকুৱাই ৰাখিলে। ৩ তেওঁ মোক ক'লে, "ইস্ৰায়েল
তুমি মোৰ দাস, যাৰ যোগেদি মই মোৰ গৌৰৱ দেখিবলৈ পাম।" ৪
যদিও মই ভাবো, মই মিছাকৈয়ে শ্ৰম কৰিলোঁ, মই অনৰ্থক ৰূপে
মোৰ শক্তি নষ্ট কৰিলোঁ; তথাপিও মোৰ ন্যায় যিহোৱাৰ লগত আছে,
আৰু মোৰ পুৰস্কাৰ ঈশ্বৰৰ সৈতে আছে। ৫ আৰু এতিয়া যিহোৱাই
কৈছে, মই নিজৰ ওচৰলৈ যাকোবক পুনৰায় আনিবৰ বাবে, আৰু
ইস্ৰায়েলক তেওঁৰ ওচৰত গোট খুৱাবৰ অৰ্থে, তেওঁৰ দাস হ'বলৈ
মোক জন্মৰ পৰাই গঠন কৰিলে, মই যিহোৱাৰ দৃষ্টিত মৰ্যদাৱান, আৰু
মোৰ ঈশ্বৰ মোৰ বলস্বৰূপ। ৬ তেওঁ কৈছে, যাকোবৰ ফৈদসকলক
পুন: স্হাপন কৰিবলৈ, আৰু ইস্ৰায়েলৰ জীৱিত লোকসকলক পুনৰায়
স্থাপন কৰিবৰ অৰ্থে তুমি মোৰ দাস হোৱা অতি সৰু বিষয়। মই
তোমাক ধৰ্মহীন লোকৰ আগত দীপ্তিস্বৰূপ কৰিম। সেয়ে হ'য়তো
পৃথিবীৰ অন্ত: লৈকে তুমি মোৰ পৰিত্ৰাণৰ উপায় হ'বা ৭ ইস্ৰায়েলৰ
মুক্তিদাতা, তেওঁলোকৰ পবিত্ৰ ঈশ্বৰ যিহোৱাই এই কথা কৈছে,
যাক মানুহে হেয়জ্ঞান কৰে, যাক দেশৰ লোকে ঘিণ কৰে, যি জনা

অধিপতিসকলৰ দাস: কাৰণ বিশ্বাসীযোগ্য যিহোৱাই, তাৰ ওপৰিও
ইস্রায়েলৰ পবিত্র জনাই তোমাক মনোনীত কৰিলে। তেওঁৰেই বাবে
ৰজাসকলে তোমাক দেখিলে উঠিব, আৰু অধিপতিসকলে তোমাক
দেখিলে প্রণিপাত কৰিব। ৮ যিহোৱাই এই কথা কৈছে, একে সময়তে
মই তোমাক মোৰ অনুগ্রহ আৰু উত্তৰ দিবলৈ সিদ্ধান্ত ল'ম, আৰু
পৰিত্ৰাণৰ দিনা মই তোমাক সহায় কৰিম; উত্তৰাধিকাৰি সূত্রে পোৱা
উচ্ছন্ন হৈ যোৱা দেশ পুনৰ নির্দিষ্ট কৰি গঠন কৰিবলৈ, মই তোমাক
সুৰক্ষা দিম, আৰু তোমাক চুক্তি হিচাবে লোকসকলৰ কাৰণে দিম। ৯
অন্ধকূপত থকা বন্দীসকলক তুমি কোৱা 'ওলাই আহাঁ,'আৰু 'নিজক
দেখুৱা।' তেওঁলোকে পশুবোৰক বাটৰ কাষে কাষে চৰাব, আৰু আটাই
খালী এঢলীয়া ঠাই সিহঁতৰ চৰণীয়া ঠাই হ'ব। ১০ তেওঁলোক ক্ষুধাতুৰ
বা তৃষ্ণাতুৰ নহ'ব; গৰমে বা সূৰ্যৰ তাপে তেওঁলোকক কষ্ট নিদিব;
কাৰণ যি জনাই তেওঁলোকক দয়া কৰে, তেওঁ তেওঁলোকক চলাই লৈ
যাব, আৰু জলৰ ভুমুকলৈ পথ দর্শক হৈ তেওঁলোকক চলাই নিব।
১১ আৰু মই মোৰ পৰ্ব্বতবোৰ বাটলৈ পৰিনত কৰিম আৰু মোৰ
ৰাজবাটবোৰ সমান কৰিম।" ১২ চোৱা, এইবোৰ দূৰৰ পৰা আহিব,
কিছুমান উত্তৰৰ পৰা আৰু কিছুমান পশ্চিম দিশৰ পৰা; আৰু আনবোৰ
চিনীম দেশৰ পৰা আহিব। ১৩ হে আকাশ মণ্ডল, গীত-গান কৰা;
হে পৃথিৱী, উল্লাসিত হোৱা; হে পৰ্ব্বতবোৰ, আনন্দ গান কৰিবলৈ
ধৰা! কাৰণ যিহোৱাই নিজৰ প্রজাসকলক শান্ত্বনা দিব, আৰু তেওঁৰ
দুখিত সকলক তেওঁ দয়া কৰিব। ১৪ কিন্তু চিয়োনে ক'লে, "যিহোৱাই
মোক ত্যাগ কৰিলে আৰু প্রভুৱে মোক পাহৰিলে।" ১৫ মহিলাই নিজে
জন্ম দিয়া সন্তানক জানো পাহৰিব পাৰে, সেয়ে স্নেহ নকৰাকৈ জানো
নিজৰ পিয়াহ খুৱাব পাৰে? হয়, তেওঁলোকে হয়তো পাহৰিব পাৰে,
কিন্তু মই তোমাক নাপাহৰো। ১৬ চোৱা, মই মোৰ হাতৰ তলুৱাত
তোমাৰ নাম খোদিত কৰিলোঁ; আৰু তোমাৰ গড়বোৰ অবিৰাম ভাবে
মোৰ দৃষ্টিত থাকিব। ১৭ তোমাৰ সন্তান সকল যেতিয়া বেগাবেগি
ঘুৰি আহিব; তেতিয়া তোমাক ধ্বংস কৰাসকল আঁতৰি যাব। ১৮
চাৰিওফালে চোৱা; তেওঁলোক সকলো গোট খাইছে আৰু তোমাৰ

ওচৰলৈ আহিছে। “নিশ্চিতভাবে যি দৰে মই জীয়াই আছোঁ” এয়া
যিহোৱাৰ ঘোষনা- “তোমালোকে সেইবোৰ অলঙ্কাৰৰ দৰে নিশ্চয়
পিন্ধিবা; তোমালোকে সেইবোৰ কন্যাৰ দৰে পিন্ধিবা। ১৯ ধ্বংস হোৱা
দেশত যদিও তোমালোক পতিত আৰু উচ্ছন্ন হৈছিলা, এতিয়া বাসিন্দা
হ’বৰ বাবে তোমালোক অতি তাকৰ, আৰু যিসকলে তোমালোকক
গ্রাস কৰিছিল তেওঁলোক এতিয়া বহু দূৰত। ২০ তোমালোকৰ সন্তাপৰ
সময়ত জন্ম হোৱা সন্তান সকলে তোমালোকে শুনাকৈ ক’ব, ‘এই
ঠাই আমাৰ কাৰণে অতি ঠেক, আমাৰ বাবে ঠাই যুগুত কৰা; আমি
যেন ইয়াত বাস কৰিব পাৰোঁ।’ ২১ তেতিয়া তোমালোকে নিজকে
কবা, “কোনে মোৰ কাৰণে এই সন্তান জন্ম দিলে?” মই সন্তাপ
আৰু বাঁজী, দেশান্তৰিত আৰু বিবাহ-বিচ্ছেদ ব্যক্তি আছিলোঁ। এই
সন্তান সকলক কোনে প্রতিপালন কৰিলে? চোৱা, মোক অকলে
এৰিলে; এইসকল ক’ৰ পৰা আহিলে?’” ২২ প্ৰভু যিহোৱাই এই
কথা কৈছে: “চোৱা, মই দেশ নিবাসী সকললৈ মোৰ হাত দাঙিম,
লোকসকললৈ মোৰ চিহ্ন ধ্বজা তুলিম। তেওঁলোকে তোমালোকৰ
পুত্রসকলক বাহুত আনিব, আৰু তোমাৰ জীয়াৰীসকলক কান্ধত তুলি
অনিব। ২৩ ৰজাসকল তোমালোকৰ লালন-পালন কৰা পিতৃ হ’ব,
আৰু তেওঁলোকৰ ৰাণীসকল তোমালোকক প্রতিপালন কৰা দাসী হ’ব;
তেওঁলোকে মাটিত মুখ লগাই তোমালোকৰ আগত প্রণিপাত কৰিব,
আৰু তোমালোকৰ ভৰিৰ ধুলি চেলেকিব; আৰু মইয়ে যে যিহোৱা,
তাক তোমালোকে জানিবলৈ পাবা, আৰু মোলৈ অপেক্ষা কৰা সকল
লাজত নপৰিব।” ২৪ যুদ্ধাৰোসকলে লুন্ঠন কৰি অনা বস্তু জানো
তেওঁলোকৰ হাতৰ পৰা ল’ব পাৰি; বা বন্দীসকলক অত্যাচাৰীৰ পৰা
উদ্ধাৰ? ২৫ কিন্তু যিহোৱাই এই কথা কৈছে: হ’য় যোদ্ধাৰোসকলৰ পৰা
বন্দীসকলক উলিয়াই অনা হ’ব, আৰু লুন্ঠন কৰি অনা বস্তু উদ্ধাৰকৰা
হ’ব; কাৰণ মই তোমালোকৰ প্রতিদ্বন্দীক বাধা দিম আৰু তোমালোকৰ
সন্তান সকলক ৰক্ষা কৰিম। ২৬ আৰু তোমালোকক উপদ্রৱ কৰোঁতা
সকলক মই তেওঁলোকৰ নিজৰেই মঙহ খুৱাম; আৰু তেওঁলোকে
দ্ৰাক্ষাৰস বুলি নিজৰ তেজকেই নিজে পান কৰি মতলীয়া হ’ব; সেয়ে,

ময়েই যে যিহোৱা, তোমালোকৰ ত্ৰাণকৰ্ত্তা আৰু মুক্তিদাতা, যাকোবৰ
পৰাক্ৰমী জনা, সেই কথা সকলো মানৱজাতিয়ে জানিব।

৫০ যিহোৱাই এই কথা কৈছে, “মই যি পত্ৰৰ দ্বাৰাই তোমালোকৰ
মাতৃক ত্যাগ কৰিলোঁ, তোমালোকৰ মাতৃৰ সেই ত্যাগপত্ৰ ক'ত?
আৰু মোৰ মহাজনসকলৰ কোনজনলৈ তোমালোকক বেচিলোঁ?
চোৱা, তোমালোকৰ অপৰাধৰ বাবেহে তোমালোকক বেচা হ'ল, আৰু
তোমালোকৰ বিদ্ৰোহৰ কাৰণেহে তোমালোকৰ মাতৃক পঠিয়াই দিয়া
হ'ল। ২ তাত কোনো এজন নাছিল তথাপি মই কিয় আহিছিলো?
কোনো এজনে উত্তৰ দিয়া নাছিল তথাপি মই কিয় মাতিছিলোঁ?
তোমালোকক মুক্ত কৰিবলৈ মোৰ হাত ইমান চুটি নে? তোমালোকক
উদ্ধাৰ কৰিবলৈ মোৰ কোনো শক্তি নাই নে? চোৱা, মোৰ ধমকিতেই
মই সমুদ্ৰ শুকুৱাও; মই নদীবোৰক মৰুভূমি কৰোঁ; পানীৰ অভাৱত
তাত থকা মাছবোৰ মৰিব আৰু গেলিব। ৩ মই আন্ধাৰেৰে আকাশ
আচ্ছাদিত কৰোঁ, আৰু চট কাপোৰেৰে ইয়াক ঢাকি ধৰোঁ। ৪ মই যেন
ক্লান্ত জনক বহন কৰিব পৰা বাক্য ক'ব পাৰোঁ, সেয়ে শিক্ষা দিয়া
সকলৰ এজন বুলি, প্ৰভু যিহোৱাই মোক কথা কোৱা জিভা দিলে।
তেওঁ প্ৰতিটো পুৱাতেই মোক সজাগ কৰে, এনে কি, শিক্ষা লাভ কৰা
সকলৰ দৰে তেওঁ মোৰ কাণ সজাগ কৰে। ৫ প্ৰভু যিহোৱাই মোৰ
কাণ মুকলি কৰিলে; আৰু মই বিদ্ৰোহী নাছিলোঁ, বা মই পিছফালেও
ঘূৰা নাছিলোঁ। ৬ প্ৰহাৰ কৰা সকললৈ মই মোৰ পিঠি দিলোঁ, আৰু
মোৰ ডাড়ি উঘালোঁতাবিলাকলৈ মোৰ গাল পাতি দিলোঁ, অপমান আৰু
ঘৃনাৰ পৰা মই মোৰ মুখ লুকুৱা নাই। ৭ কাৰণ প্ৰভু যিহোৱাই মোক
সহায় কৰিব; সেই বাবে মই অপমানিত নহম; সেয়ে মই মোৰ মুখ
চকমকি পাথৰৰ দৰে কৰিলোঁ; কাৰণ মই জানো যে মই লাজ নাপাম।
৮ যি জনে মোক ন্যায্য বুলি প্ৰমান কৰিলে যিহোৱা মোৰ ওচৰত আছে;
কোনে মোৰ বিৰোধিতা কৰিব? আহাঁ আমি থিয় হওঁ আৰু ইজনে
সিজনৰ সন্মুখীন হ'ও। মোক দোষাৰোপ কৰা জন কোন? তেওঁক
মোৰ ওচৰলৈ আহিব দিয়া। ৯ চোৱা, প্ৰভু যিহোৱাই মোক সহায়
কৰিব; কোনে মোক দোষী কৰিব? চোৱা, তেওঁলোক সকলোৱেই

কাপোৰৰ দৰে ক্ষয় হ'ব; পোকে তেওঁলোকক খাই পেলাব। ১০
তোমালোকৰ মাজৰ কোনে যিহোৱাক ভয় কৰা? তেওঁৰ দাসৰ বাক্য
কোনে পালন কৰা? কোনে পোহৰ নোহোৱাকৈ ঘোৰ আন্ধাৰত খোজ
কাঢ়া? তেওঁ যিহোৱাৰ নামত ভাৰসা কৰক, আৰু তেওঁৰ ঈশ্বৰত নির্ভৰ
কৰক। ১১ চোৱা, তোমালোক যিসকলোৱে জুই জ্বলোৱা, আৰু যি
জনে নিজকে টৰ্চলাইটেৰে সজ্জিত কৰা: তোমালোকে নিজৰ জুইৰ
পোহৰত আৰু তোমালোকে জ্বলোৱা সেই অগ্নিশিখাৰ পোহৰত খোজ
কাঢ়া। যিহোৱাই কৈছে 'মোৰ হাতৰ পৰা' 'এই সকলো তোমালোকলৈ
ঘতিব: কষ্টৰ ঠাইত তোমালোকে শয়ন কৰিবা।'

**৫১** তোমালোক যি জনে ধার্মিকতাত চলা, যি জনে যিহোৱাক
বিচাৰা, মোৰ কথা শুনা: তোমালোকক যি শিলৰ পৰা কটা আৰু যি
গাতৰ পৰা খন্দা হৈছিল, তালৈ দৃষ্টি কৰা। ২ তোমালোকৰ পূৰ্বপুৰুষ
অব্ৰাহাম আৰু তোমালোকৰ প্ৰসৱকাৰিণী চাৰালৈ দৃষ্টি কৰা; কাৰণ
তেওঁ যেতিয়া অকলশৰীয়া ব্যক্তি আছিল, তেতিয়া মই তেওঁক মাতি
আশীৰ্ব্বাদ দি বহুবংশ কৰিলোঁ। ৩ হ'য় যিহোৱাই চিয়োনক শান্ত্বনা
দিব, তেওঁ সকলো উচ্ছন্ন ঠাইক শান্ত্বনা দিব; তাৰ জনবসতিহীন
ঠাইবোৰ এদনৰ দৰে, আৰু জৰ্দন নদীৰ উপত্যকাৰ কাষৰ সমতল
মৰুভূমি যিহোৱাৰ উদ্যানৰ দৰে কৰিলে; তাত আনন্দ আৰু উল্লাস,
ঈশ্বৰক ধন্যবাদ জ্ঞাপন, আৰু স্তুতি-গীতৰ ধ্বনি পোৱা যাব। ৪ "হে
মোৰ লোকসকল, মোলৈ মনোযোগ দিয়া, আৰু মোৰ কথা শুনা! কাৰণ
মই এক বিধান প্ৰকাশ কৰিম, আৰু জাতিবোৰৰ কাৰণে পোহৰ হবলৈ
মোৰ ন্যায় বিচাৰ স্থাপন কৰিম। ৫ মোৰ ধাৰ্মিকতা ওচৰ হ'য়, মোৰ
পৰিত্ৰাণ ওলায় যাব, আৰু মোৰ বাহুৱে জাতিবোৰৰ বিচাৰ কৰিব;
উপকূলভূমিয়ে মোলৈ বাট চাব, আৰু মোৰ বাহুবলৰ কাৰণ আগ্ৰহেৰে
বাট চাব। ৬ তোমালোকে আকাশলৈ চকু তুলি চোৱা, আৰু তলত থকা
পৃথিবীলৈ দৃষ্টি কৰা; কাৰণ আকাশ-মণ্ডল ধোঁৱাৰ দৰে অদৃশ্য হ'ব,
পৃথিৱী কাপোৰৰ দৰে ক্ষয় হ'ব, আৰু তাৰ নিবাসীসকল মাখিৰ দৰে
মৰিব। কিন্তু মোৰ পৰিত্ৰাণ অনন্তকাললৈ অবিৰাম চলি থাকিব, আৰু
মোৰ ধাৰ্মিকতাই কেতিয়াও কাম কৰা বন্ধ নকৰিব। ৭ তোমালোক

যিসকলে সত্য কি জানা, মোৰ বিধান তোমালোকৰ হৃদয়ত ধৰি ৰখা
লোকসকল, মোৰ কথা শুনা: মানুহৰ অপমানলৈ ভয় নকৰিবা, নাইবা
তেওঁলোকৰ অপব্যৱহাৰত হতাশ নহবা। ৮ কাৰণ কাপোৰ খোৱা
পোকে কাপোৰ খোৱাৰ দৰে তেওঁলোকক খাব, আৰু পোকে উল
খোৱাৰ দৰে তেওঁলোকক খাব; কিন্তু মোৰ ধাৰ্মিকতা অনন্তকালৰ
বাবে হব, আৰু মোৰ পৰিত্ৰাণ পুৰুষানুক্ৰমে থাকিব।” ৯ সজাগ হোৱা,
সজাগ হোৱা, যিহোৱাৰ বাহু-বল আৰু শক্তিৰে তোমালোকে নিজকে
আবৃত কৰা। প্ৰাচীন কালৰ প্ৰজন্মসকল, পুৰনি দিনৰ দৰে সজাগ
হোৱা। সাগৰৰ ৰাক্ষসক গুৰি কৰা আৰু ৰাহাবক খোচা জন আপুনিয়ে
নে? ১০ সাগৰক, মহাজল সমূহক আপুনিয়ে শুকুউৱাই, মুক্তসকলক
পাৰ হৈ যাবৰ বাবে অগাধ সাগৰক পথ কৰা জন আপুনিয়ে নহয়নে?
১১ যিহোৱাই মুক্তিপণ দিয়াসকল ঘুৰি আহিব, আৰু আনন্দ-গানেৰে
চিয়োনলৈ আহিব; তেওঁলোকৰ মূৰ সদাকালৰ বাবে আনন্দেৰে পৰিপূৰ্ণ
হ’ব; উল্লাস আৰু আনন্দ হব, দু: খ আৰু শোক দূৰ হ’ব। ১২ মই,
ময়েই যিজনে তোমালোকক শান্ত্বনা দিওঁ; তোমালোকে কিয় মানুহলৈ
ভয় কৰা, কাৰ মৃত্যু হ’ব, মানুহৰ পুত্ৰৰ, কোনে তোমালোকক তৃণৰ
দৰে সৃষ্টি কৰিলে? ১৩ যি জনাই আকাশ-মণ্ডল বিস্তাৰ কৰিলে, আৰু
পৃথিবীৰ মূল স্থাপন কৰিলে, তোমালোকৰ সেই নিৰ্ম্মাণকৰ্ত্তা যিহোৱাক
কিয় পাহৰিছা? কাৰণ যেতিয়া অতি ক্ৰোধত অত্যাচাৰীয়ে ধ্বংস
কৰিবলৈ সিদ্ধান্ত লয়, তেতিয়া প্ৰতিদিনে তোমালোক অবিৰাম ভাবে
আতঙ্কত থাকা। সেই অত্যাচাৰীবোৰৰ ক্ৰোধ ক’ত? ১৪ যিজন লোক
নম্ৰ হ’ব, যিহোৱাই তেওঁক মুকলি কৰিবলৈ খৰধৰ কৰিব; তেওঁৰ মৃত্যু
নহব আৰু নৰকলৈ নাযাব; অথবা তেওঁৰ আহাৰৰ অভাৱ নহব। ১৫
কাৰণ মই তোমালোকৰ ঈশ্বৰ যিহোৱা, যি জনাই ঢৌবোৰে গৰ্জ্জন
কৰিবৰ বাবে, সাগৰক আন্দোলিত কৰে, তেওঁৰেই নাম বাহিনীসকলৰ
যিহোৱা। ১৬ মই আকাশ-মণ্ডলক স্থাপন কৰিব পাৰোঁ, পৃথিবীৰ
আধাৰশিলা স্হাপন কৰোঁ, আৰু চিয়োনক ক’ও ‘তোমালোকেই মোৰ
লোকসকল,’ সেই বাবে মোৰ বাক্য তোমালোকৰ মুখত থলোঁ, আৰু
মোৰ হাতৰ ছাঁত তোমালোকক ঢাকি ৰাখিলোঁ।” ১৭ যিহোৱাৰ হাতৰ

পৰা তেওঁৰ ক্ৰোধৰ পান-পাত্ৰ পান কৰা; হে যিৰূচালেম, সজাগ
হোৱা, সজাগ হোৱা, ঠিয় হোৱা; তোমালোকে পান-পাত্ৰ পান কৰিছা,
ঢলংপলং কৰোঁতা পান-পাত্ৰ, আৰু তোমালোকে তাক উলিয়াইছা। ১৮
তেওঁ জন্ম দিয়া সন্তান সকলৰ মাজৰ কোনো এজন নাই তেওঁক পথ
দেখুৱাবলৈ; যিসকল সন্তান তেওঁ ডাঙৰ-দীঘল কৰিলে তেওঁলোকৰ
মাজত কোনো এজন নাই তেওঁক হাতত ধৰি নিবলৈ। ১৯ এই দুই
ঘটনা তোমোলোকলৈ ঘটিল- কোনে তোমালোকৰ বাবে বিলাপ
কৰিব?- জনশুণ্য ঠাই আৰু ধ্বংস, আকাল আৰু তৰোৱাল। কোনে
তোমালোকক শান্ত্বনা দিব? ২০ জালত পৰা হৰিণৰ দৰে তোমালোকৰ
সন্তান সকল অচেতন হ'ল, তেওঁলোক প্ৰত্যেক আলিৰ চুকত পৰি ৰ'ল;
তেওঁলোক যিহোৱাৰ ক্ৰোধ আৰু ঈশ্বৰৰ তিৰস্কাৰেৰে পৰিপূৰ্ণ। ২১
নিপীড়িত আৰু মতলীয়া হোৱা জন, কিন্তু দ্ৰাক্ষাৰসেৰে নহয়, এতিয়া
এই কথা শুনা: ২২ তোমালোকৰ ঈশ্বৰ, তোমালোকৰ প্ৰভু যিহোৱা,
যিজনে তেওঁৰ লোকসকলৰ বাবে মিনতি কৰে, তেওঁ এই কথা কৈছে:
"চোৱা মই ঢলংপলং কৰা পান-পাত্ৰৰ পৰা তোমালোকৰ হাত ললোঁ,
এনে কি, মোৰ ক্ৰোধৰ পান-পাত্ৰৰ পৰাও ললোঁ, তোমালোকে পুনৰ
তাক পান নকৰিবা। ২৩ মই তোমালোকৰ উৎপীড়ক জনৰ হাতত
তাক দিম; যিসকলে তোমালোকক কৈছিল, 'উবুৰি হৈ পৰা, যাতে
আমি তোমালোকৰ ওপৰেৰে যাব পাৰোঁ,' আৰু তেওঁলোকে খোজ
কাঢ়িব পৰাকৈ তোমালোকৰ পিঠি মাটিৰ দৰে আৰু বাটৰ দৰে কৰা।"
আলি স্বৰূপে তোমাৰ পিঠি পাতি দিলা।

**৫২** হে চিয়োন, সজাগ হোৱা, সজাগ হোৱা, তোমালোকৰ শক্তি তুলি
ধৰা; হে পবিত্ৰ নগৰ যিৰূচালেম, তোমালোকৰ সুন্দৰ বস্ত্ৰবোৰ পিন্ধা;
কাৰণ পুনৰ কেতিয়াও চুন্নৎ নোহোৱা বা অশুচি লোক তোমালোকৰ
মাজত নোসোমাব। ২ হে যিৰূচালেম, ধূলিৰ পৰা তোমালোকে নিজকে
জোকাৰি দিয়া; উঠি বহা; হে বন্দী-অৱস্থাত থকা হে চিয়োনৰ বন্দী
জীয়াৰী, তোমালোকৰ ডিঙিৰ পৰা শিকলি খুলি দিয়া। ৩ কাৰণ
যিহোৱাই এই কথা কৈছে, "তোমালোক বিনামূল্যে বেচা গৈছিলা,
আৰু তোমালোক বিনামূল্যে মুক্ত হবা।" ৪ কাৰণ প্ৰভু যিহোৱাই

এই কথা কৈছে, আগত মোৰ লোকসকল মিচৰলৈ অস্থায়ীভাবে বাস
কৰিবলৈ গৈছিল; কিছু দিনৰ আগত অচূৰীয়া সকলে তেওঁলোকক
উপদ্ৰৱ কৰিছিল। ৫ এইয়া যিহোৱাৰ ঘোষনা: "মই দেখিলোঁ যে
মোৰ লোক সকলক বিনা কাৰণে লৈ যোৱা হৈছে, এতিয়া ইয়াত
মোৰ কৰিবলৈ কি আছে? যি সকলে তেওঁলোকৰ ওপৰত শাসন
কৰিছিল তেওঁলোকে নিন্দা কৰিছে, আৰু গোটেই দিন অবিৰাম ভাবে
মোৰ নাম নিন্দিত হৈছে।" ৬ সেইবাবেই মোৰ লোকসকলে মোৰ
নাম জানিব; তেওঁলোকে সেই দিনা জানিব যে মইয়ে সেই জন যি
জনে এই কথা কৈছোঁ। হয় মইয়ে।" ৭ যিজন বাৰ্তাবাহকে শুভবাৰ্ত্তা
আনে, যিজনে শান্তি প্ৰচাৰ কৰে, যিজনে মঙ্গলৰ শুভবাৰ্ত্তা আনে,
যিজনে পৰিত্ৰাণ ঘোষণা কৰে, যিজনে চিয়োনক কয়, "তোমালোকৰ
ঈশ্বৰে ৰাজত্ব কৰিছে!" সেই জনৰ চৰণ পৰ্ব্বতৰ ওপৰত কেনে সুন্দৰ!
৮ শুনা, তোমালোকৰ প্ৰহৰীসকলে তেওঁলোকৰ মাত উচ্চ কৰিছে;
একেলগে তেওঁলোকে জয়-ধ্বনি কৰিছে; কাৰণ যিহোৱা চিয়োনলৈ
ঘুৰি অহা, তেওঁলোকে, তেওঁলোকৰ প্ৰতেক চকুৰে দেখিবলৈ পাব। ৯
যিৰূচালেমৰ উচ্ছন্ন লোকসকল, একেলগে গানেৰে আনন্দত উল্লাস
কৰা, কাৰণ যিহোৱাই তেওঁৰ লোকসকলক শান্ত্বনা দিলে, তেওঁ
যিৰূচালেমক মুক্ত কৰিলে। ১০ যিহোৱাই সকলো জাতিৰ দৃষ্টিতে
তেওঁৰ পবিত্ৰ বাহু অনাবৃত কৰিলে; সমগ্ৰ পৃথিবীয়ে আমাৰ ঈশ্বৰৰ
পৰিত্ৰাণ দেখিবলৈ পাব। ১১ তোমালোকে এৰি যোৱা, এৰিযোৱা; তাৰ
পৰা ওলাই যোৱা, কোনো অশুচি বস্তু নুচুবা; তাৰ মাজৰ পৰা ওলাই
যোৱা; তোমালোক যিসকলে যিহোৱাৰ পাত্ৰ কঢ়িয়াইছা, নিজকে শুচি
কৰা। ১২ কাৰণ তোমালোক বেগাবেগিকৈ ওলাই যাব লগা নহব,
নাইবা আতঙ্ককত এৰি যাব লগা নহব; কাৰণ যিহোৱা তোমালোকৰ
আগে আগে যাব, আৰু ইস্ৰায়েলৰ ঈশ্বৰ তোমালোকৰ পাছত যাওঁতা
হ'ব। ১৩ চোৱা, মোৰ দাসবোৰে জ্ঞানেৰে কাৰ্য কৰিব আৰু কৃতকাৰ্য
হ'ব; তেওঁ উচ্চস্থানত আৰু উন্নীত হ'ব; তেওঁ অধিক মৰ্যদাপূৰ্ণ হ'ব।
১৪ তেওঁৰ আকৃতিতকৈ তেওঁৰ আকৃতি ইমান বিকৃত আছিল যে, সেয়ে
মানুহৰ অবস্থাতকৈ তেওঁৰ দৃশ্য ব্যতিক্ৰমি আছিল- সেয়ে অনেকে

আপোনালৈ ভয় কৰিছিল- ১৫ সেয়ে তেওঁ অনেক দেশবাসীক সচকিত
কৰিব; তেওঁৰ কাৰণে ৰজাসকলে তেওঁলোকৰ মুখ বন্ধ ৰখিব। যি
কথা তেওঁলোকক কোৱা হোৱা নাছিল, তেওঁলোকে দেখিবলৈ পাব,
আৰু যি শুনা নাছিল, তেওঁলোকে বুজিব পাৰিব।

৫৩ আমি যি শুনিলো সেয়া কোনে বিশ্বাস কৰিলে? আৰু যিহোৱাৰ
বাহু কাৰ বাবে প্ৰকাশিত হ'ল? ২ কাৰণ তেওঁ যিহোৱাৰ আগত গছ
পুলিৰ দৰে, আৰু শুকান মাটিত অঙ্কুৰিত হোৱা কোমল গজালিৰ দৰে
বাঢ়ি উঠিল; তেওঁৰ কোনো বৈশিষ্ট্যপূৰ্ণ চেহেৰা বা ঐশ্বৰ্য নাছিল, আমি
যেতিয়া তেওঁক চাওঁ তেতিয়া আমাক আকৰ্ষণ কৰিব পৰা তেওঁৰ
কোনো সৌন্দৰ্য নাছিল। ৩ তেওঁ ঘৃণিত আৰু মানুহৰ দ্বাৰাই প্ৰত্যাকখাণ
কৰা; শোকাতুৰ আৰু যাতনা পৰিচিত ব্যক্তি। যাৰ পৰা মানুহে মুখ
লুকাই ৰাখে, তেওঁ তাৰ দৰে; তেওঁক তুচ্ছ জ্ঞান কৰা হল, আৰু আমি
তেওঁক বিশেষত্বহীন বুলি বিবেচনা কৰিলোঁ। ৪ নিশ্চয়ে তেওঁ আমাৰ
যাতনাবোৰ ললে, আমাৰ ৰোগৰ ভাৰ বলে, তথাপি আমি তেওঁক
ঈশ্বৰৰ দ্বাৰাই শাস্তি পোৱা, ঈশ্বৰৰ দ্বাৰাই প্ৰহাৰিত, আৰু পীড়িত বুলি
ভাবিলো। ৫ কিন্তু আমাৰ বিদ্ৰোহী কাৰ্যবোৰৰ বাবে তেওঁক খোচা হ'ল,
আমাৰ পাপবোৰৰ বাবে গুড়ি কৰা হ'ল। আমাৰ শান্তিৰ বাবে তেওঁক
শাস্তি দিয়া হ'ল, আৰু তেওঁৰ আঘাতৰ দ্বাৰাই আমি সুস্থ হলোঁ। ৬ আমি
সকলোৱে মেৰ-ছাগৰ দৰে অপথে গৈছিলোঁ; আমি প্ৰতিজনে নিজৰ
নিজৰ পথে ঘুৰিছিলোঁ, আৰু যিহোৱাই আমাৰ সকলোৰে ঘোৰ অধৰ্মৰ
ভাৰ তেওঁৰ ওপৰত দিলে। ৭ তেওঁক অত্যাচাৰ কৰা হৈছিল, তথাপি
তেওঁ নিজকে নম্ৰ কৰিলে, আৰু তেওঁ নিজৰ মুখ নেমেলিলে; যেনেকৈ
কাটিবলৈ নিয়া মেৰ-ছাগ, আৰু যেনেকৈ নোম কাটোতাৰ আগত মেৰ-
ছাগে নিজম দি থকে, সেই দৰে তেওঁ নিজৰ মুখক নেমেলিলে। ৮
তেওঁক দমন নীতি আৰু বিচাৰৰ দ্বাৰাই দোষী কৰা হৈছিল; সেই
প্ৰজন্মৰ পৰা কোনে তেওঁৰ বিষয়ে আৰু অধিক চিন্তা কৰিছিল?
কিন্তু জীৱিতসকলৰ দেশৰ পৰা তেওঁক বিচ্ছেদ কৰা হৈছিল; আৰু
মোৰ লোকসকলৰ দোষৰ কাৰণে তেওঁক শাস্তি দিয়া হৈছিল। ৯
তেওঁলোকে অপৰাধীসকলৰ সৈতে তেওঁৰ মৈদাম স্থাপন কৰিবলৈ

ইচ্ছা কৰিলে, আৰু মৃত্যুত তেওঁ ধনৱানৰ সৈতে আছিল, তথাপি তেওঁ
কোনো অত্যাচাৰ কৰা নাছিল, নাইবা তেওঁৰ মুখত কোনো প্ৰতাৰণাৰ
কথা নাছিল। ১০ তথাপি যিহোৱাই তেওঁক আঘাতপ্ৰাপ্ত কৰি গুড়ি
কৰিবলৈ ইচ্ছা কৰিলে; কিন্তু তোমালোকে যদি তেওঁৰ জীৱন পাপৰ
বাবে উৎসৰ্গ কৰিব খুজিছা, তেনেহ'লে তুমি নিজৰ সন্তান সকলক
দেখিবা, তেওঁৰ আয়ুস দীঘল হ'ব, আৰু যিহোৱাৰ উদ্দেশ্য তেওঁৰ
যোগেদি সিদ্ধ কৰিব। ১১ তেওঁৰ আত্মাই কষ্ট পোৱাৰ পাছত তেওঁ
নিজৰ জ্ঞানৰ দ্বাৰাই নিজকে সন্তুষ্ট হোৱা দেখিব। মোৰ ধাৰ্মিক দাসে
অনেকক নিৰ্দোষী প্ৰমাণ কৰিব, তেৱেঁই তেওঁলোকৰ অপৰাধৰ ভাৰ
বহন কৰিব। ১২ সেইবাবে অনেক লোকসকলৰ মাজত মই তেওঁৰ
অংশ দিম, আৰু তেওঁ বহুতৰ সৈতে লুটদ্ৰব্য ভাগ কৰিব; কাৰণ তেওঁ
নিজৰ জীৱন মৃত্যুলৈ প্ৰকাশিত কৰিলে, আৰু আইন ভঙ্গ কৰাসকলৰ
সৈতে গনিত হ'ল। তেওঁ অনেকৰ পাপৰ ভাৰ বহন কৰিলে, আৰু
আইন ভঙ্গ কৰাসকলৰ কাৰণে মধ্যস্হতা কৰিলে।

**৫৪** সন্তান জন্ম নিদিয়া মহিলা সকল গান গোৱা, কেতিয়াও প্ৰসৱ-
বেদনা নোপোৱা মহিলা সকল, তোমালোকে আনন্দ গান আৰু
উচ্চধ্বনিৰে উল্লাসিত হোৱা; কাৰণ যিহোৱাই কৈছে, বিবাহিত মহিলাৰ
সন্তানতকৈ পৰিত্যক্ত মহিলাৰ সন্তান অধিক। ২ তোমালোকৰ
তম্বু ডাঙৰ কৰা, আৰু তম্বুবোৰ পৰ্দাবোৰ যিমান পাৰা বহলাই
দিয়া; তোমালোকৰ জৰীবোৰ দীঘল কৰা আৰু খুটিবোৰ শক্তিশালী
কৰা। ৩ তোমালোকৰ সোঁহাত আৰু বাওঁহাত মেলি দিয়া হ'ব, আৰু
তোমালোকৰ বংশধৰসকলে দেশবোৰ জয় কৰিব, আৰু পৰিত্যক্ত
নগৰবোৰ পুনৰ স্থাপন কৰিব। ৪ ভয় নকৰিবা, কাৰণ তোমালোক
লজ্জিত নহবা; বা নিৰাশ নহ'বা কাৰণ তোমালোক অপমানিত নহ'বা;
তোমালোকে যৌৱন-কালৰ লাজ আৰু তোমালোকক বৰ্জন কৰাৰ
অপমান পাহৰিবা। ৫ তোমালোকৰ সৃষ্টিকৰ্তাই তোমালোকৰ স্বামী;
তেওঁৰ নাম বাহিনীসকলৰ যিহোৱা। ইস্রায়েলৰ পবিত্ৰ ঈশ্বৰ জনা
তোমালোকৰ মুক্তিদাতা; তেওঁ সমগ্ৰ পৃথিবীৰ ঈশ্বৰ বুলি প্ৰখ্যাত।
৬ কাৰণ আত্মাত শোক পোৱা আৰু পৰিত্যাগ হোৱা, যৌৱনকালত

বিয়া হৈ অগ্ৰাহ্য হোৱা মহিলাৰ দৰে, যিহোৱাই পুনৰ ভাৰ্যাৰ দৰে
তোমালোকক আহ্বান কৰিছে, এই কথা তোমালোকৰ যিহোৱাই কৈছে।
৭ “মই অলপ সময়ৰ বাবে তোমালোকক ত্যাগ কৰিছিলোঁ; কিন্তু অধিক
দয়াৰে মই তোমালোকক চপাম। ৮ অত্যন্ত ক্ৰোধত, মই ক্ষন্তেকৰ
বাবে তোমালোকৰ পৰা মোৰ মুখ লুকুৱাইছিলোঁ; কিন্তু অনন্তকলীয়া
বিশ্বাসযোগ্য চুক্তিৰে মই তোমালোকক দয়া কৰিম,” তোমালোকক
উদ্ধাৰ কৰা যিহোৱাই কৈছে, ৯ “এইয়া মোৰ বাবে নোহৰ সময়ৰ
জল সমূহৰ দৰে; সেই নোহৰ সময়ৰ জল সমূহে পুনৰায় পৃথিৱী
প্লাবিত নকৰিব বুলি মই যেনেকৈ শপত কৰিছিলোঁ, সেই দৰে মই
এতিয়া শপত কৰিছোঁ যে, মই তোমালোকক খং নকৰোঁ, আৰু ধমকিও
নিদিওঁ। ১০ যদিও পৰ্ব্বতবোৰ ধ্বংস হ’ব, আৰু পাহাৰবোৰ কঁপিব;
তথাপিও তোমালোকৰ পৰা মোৰ বিশ্বাসযোগ্য চুক্তি আঁতৰি নাযাব,
বা মোৰ শান্তিৰ চুক্তি লৰচৰ নহব, যি জনে তোমালোকক অনুগ্ৰহ কৰে
সেই যিহোৱাই কৈছে। ১১ হে পীড়িত জন, ধুমুহাত ক্ষতিগ্ৰস্ত আৰু
শান্ত্বনা নোপোৱা জন, চোৱা, মই ফিৰোজাৰে তোমালোকৰ ফুটপাথ,
আৰু নীলকান্ত মণিৰে তোমালোকৰ ভিত্তিমূল স্থাপন কৰিম। ১২ মই
ৰুবী বাখৰে তোমালোকৰ চূড়াবোৰ, আৰু চিকমিকিৱা পাথৰেৰে
তোমালোকৰ দুৱাৰবোৰ স্হাপন কৰিম, আৰু তোমালোকৰ চাৰিও
সীমা ধুনীয়া পাথৰেৰে নিৰ্ম্মাণ কৰিম। ১৩ তোমালোকৰ সকলো সন্তান
যিহোৱাৰ দ্বাৰাই শিক্ষিত হব, আৰু তোমালোকৰ সন্তান সকলৰ শান্তি
মহান হ’ব। ১৪ ধাৰ্মিকতাত মই তোমালোকক পুনৰ স্থাপন কৰিম;
তোমালোকৰ আৰু অত্যাচাৰ অভিজ্ঞতা নহ’ব, কাৰণ তোমালোকৰ ভয়
নহ’ব; আৰু আতঙ্কজনক কোনো কথাই তোমালোকৰ ওচৰলৈ নাহিব।
১৫ চোৱা, যদি কোনো এজন যন্ত্ৰণাৰে আলোড়িত কৰে, সেইয়া মোৰ
পৰা নহয়; যি কোনোৱে তোমালোকক যন্ত্ৰণাৰে আলোড়িত কৰাৰ
সৈতে তোমালোকক পৰাজিত কৰিব। ১৬ চোৱা, মই কাৰিকৰ সৃষ্টি
কৰিলোঁ, যি জনে জ্বলি থকা কয়লাত ফু মাৰে, ধাতুৰে অস্ত্ৰ-শস্ত্ৰ গঢ়া
তেওঁৰ কাম, সেই কমাৰক ময়েই সৃষ্টি কৰিলোঁ, আৰু মই ধ্বংস
কৰিবলৈ ধ্বংসকাৰী সৃষ্টি কৰিলোঁ। ১৭ তোমাৰ বিৰুদ্ধে গঢ়া কোনো

অস্ত্র সাফল নহ’ব; আৰু তোমালোকক দোষাৰোপ কৰা প্ৰতিজনকে
তোমালোকে দোষাৰোপ কৰিবা। যিহোৱাৰ দাস সকলৰ এয়ে জন্ম
স্বত্ত্ব, আৰু তেওঁলোকে মোৰ পৰা পোৱা সমৰ্থন” এয়াই যিহোৱাৰ
ঘোষনা।

**৫৫** “হে তৃষ্ণাতুৰ লোকসকল, পানীৰ ওচৰলৈ আহাঁ! আৰু যি সকলৰ
ধন নাই, সকলো আহাঁ; খোৱা বস্তু কিনা, আৰু ভোজন কৰা! আহাঁ,
বিনামূল্যে বিনাদামে দ্ৰাক্ষাৰস আৰু গাখীৰ কিনা। ২ যি আহাৰ নহয়
তাৰ বাবে ৰূপ কিয় জোখা? আৰু যি হে সন্তুষ্ট নিদিয়ে তাৰ বাবে
কিয় পৰিশ্ৰম কৰা? সাৱধানেৰে মোৰ কথা শুনা, আৰু যি উত্তম, সেই
সকলো ভোজন কৰা, আৰু পুষ্টিকৰ বস্তুৰ দ্বাৰাই জীৱন আনন্দিত
কৰা। ৩ মনোযোগ দিয়া আৰু মোৰ ওচৰলৈ আহাঁ! শুনা, তাৰ দ্বাৰাই
তোমালোকৰ প্ৰাণ যেন সজীব হয়! মই নিশ্চয় তোমালোকৰ সৈতে
অনন্তকলীয়া চুক্তি, দায়ূদক দিয়া বিশ্বাসযোগ্য নিয়মৰ চুক্তি স্থাপন
কৰিম। ৪ চোৱা, মই তেওঁক দেশবোৰৰ সাক্ষীস্বৰূপে, আৰু লোকসকলৰ
মুখ্য ব্যক্তি আৰু অধ্যক্ষস্বৰূপে নিযুক্ত কৰিলোঁ।” ৫ চোৱা, যি জাতিক
তোমালোকে নাজানা, এনে জাতিক তোমালোকে আহ্বান কৰিবা, আৰু
যি জাতিয়ে তোমালোকক নাজানে, এনে জাতি তোমালোকৰ ওচৰলৈ
দৌৰি আহিব; তোমালোকৰ ঈশ্বৰ যিহোৱা, ইস্ৰায়েলৰ পবিত্ৰ ঈশ্বৰ
জনা, যি জনে তোমালোকক গৌৰৱান্বিত কৰিলে, তেওঁৰ বাবে এনে
ঘটিব। ৬ যিহোৱাক পাব পৰা সময়ত তোমালোকে তেওঁক বিচাৰা;
তেওঁ ওচৰত থাকোঁতে তেওঁক মাতা। ৭ দুষ্ট লোকে তেওঁলোকৰ পথ
আৰু পাপীলোকে তেওঁলোকৰ চিন্তাধাৰা ত্যাগ কৰক। তেওঁলোক
যিহোৱালৈ ঘুৰি আহক, তাতে তেওঁ তেওঁলোকক দয়া কৰিব; আৰু যি
জনে প্ৰচুৰ পৰিমাণে তেওঁলোকক ক্ষমা কৰিব, আমাৰ সেই ঈশ্বৰলৈ
ঘুৰি আহাঁ। ৮ “কাৰণ মোৰ চিন্তাধাৰা তোমালোকৰ চিন্তাধাৰা নহয়, বা
তোমালোকৰ পথ মোৰ পথ নহয়” এইয়া যিহোৱাৰ ঘোষনা। ৯ “কাৰণ
যি দৰে পৃথিবীতকৈ আকাশ-মণ্ডল ওখ, সেই দৰে তোমালোকৰ
সকলো পথতকৈ মোৰ পথ ওখ, আৰু তোমালোকৰ চিন্তাধাৰাতকৈ
মোৰ চিন্তাধাৰা। ১০ কাৰণ যি দৰে বৰষুণ আৰু হিম আকাশৰ পৰা

নামি আহে, আৰু পৃথিবীক যেতিয়ালৈকে নিভিজাই তেতিয়ালৈকে
ঘুৰি নাযায়, ই উৎপন্ন কৰিবলৈ আৰু গজালি মেলিবলৈ ভূমি প্রস্তুত
কৰে, গুটি সিঁচোতাক ফল দিয়ে আৰু খাওঁতাক আহাৰ দিয়ে, ১১
সেয়ে মোৰ মুখৰ পৰা ওলোৱা বাক্যও সেই দৰে ওলায় যায়: সেয়ে
ফলপ্রদ নোহোৱাকৈ মোলৈ ঘুৰি নাহিব, কিন্তু মই ইচ্ছা কৰাৰ দৰেই
সম্পন্ন কৰিব, আৰু যিহৰ বাবে ইয়াক পঠাওঁ, সেই বিষয়ত সফল
হ'ব। ১২ সেয়ে তোমালোক আনন্দেৰে বেবিলনৰ পৰা বাহিৰ ওলাই
যাবা, আৰু তোমালোকক শান্তিৰে নিয়া হ'ব; পৰ্ব্বত আৰু পাহাৰবোৰে
তোমালোকৰ আগত উচ্চ-স্বৰে আনন্দ কৰিব, আৰু পথাৰত থকা
গছবোৰে হাত তালি দিব। ১৩ কাঁইট গছৰ সলনি চিৰসেউজীয়া গছ
গজিব; আৰু কাঁইটীয়া জাৰণিৰ পৰিবৰ্তে সুগন্ধি পাত আৰু ফুলযুক্ত গছ
গজিব; আৰু সেয়ে যিহোৱা আৰু তেওঁৰ নামৰ বাবে হ'ব, কেতিয়াও
লুপ্ত নোহোৱা, অনন্ত কালৰ বাবে এক চিন হ'ব।

**৫৬** যিহোৱাই এই কথা কৈছে, "তোমালোকে যি ন্যায়সঙ্গত তাক
পালন কৰা, যি সত্যপৰায়ণ তাক কৰা; কাৰণ মোৰ পৰিত্রাণ অতি
ওচৰ, আৰু মোৰ ধৰ্মপৰায়ণতা মুহূৰ্ততে প্ৰকাশ পাব। ২ যি মানুহে
এই কৰ্ম কৰে, আৰু যি সকলে তাক দৃঢ় ভাবে ধৰি ৰাখে তেওঁলোক
আশীৰ্বাদপ্রাপ্ত হ'ব। তেওঁলোকে অপবিত্ৰ নকৰাকৈ বিশ্ৰাম বাৰ পালন
কৰে, আৰু নিজৰ হাত যিকোনো কুকৰ্ম নকৰাকৈ ধৰি ৰাখে।" ৩
"যিহোৱাই নিশ্চয়কৈ মোক নিজৰ লোকসকলৰ পৰা পৃথক কৰি থ'ব,"
এই বুলি যিসকল বিদেশী যিহোৱাৰ অনুগামী তেওঁলোকে নকওক।
"চোৱা, মই শুকান গছ," এই বুলি নপুংসকে ক'ব নালাগে। ৪ কাৰণ
যিহোৱাই এই কথা কৈছে, যি সকল নপুংসক মোৰ বিশ্ৰাম বাৰ পালন
কৰে, আৰু মই সন্তুষ্ট হোৱা বিষয় বাচি ল'য়, আৰু মোৰ নিয়মেৰে
উপবাস ৰাখে- ৫ তেওঁলোকৰ বাবে মই মোৰ গৃহত আৰু মোৰ দেৱালৰ
ভিতৰত ল'ৰা আৰু ছোৱালী সকলতকৈ উত্তম কীৰ্তিস্তম্ভ স্হাপন কৰিম;
কেতিয়াও লুপ্ত নোহোৱা চিৰস্থায়ী কীৰ্তিস্তম্ভ তেওঁলোকক দিম।" ৬ যি
বিদেশীসকলে নিজকে যিহোৱাৰ সৈতে সংযুক্ত কৰে, তেওঁক পৰিচৰ্যা
কৰিবলৈ, আৰু যি সকলে যিহোৱাৰ নাম প্ৰেম কৰিবলৈ, আৰু তেওঁৰ

উপাসনা কৰিবলৈ, আৰু দাস হ'বলৈ যি পৰজাতিসকলে তেওঁৰ লগ
লয়, যি প্ৰতিজনে অপবিত্ৰ নকৰাকৈ বিশ্ৰাম-বাৰ পালন কৰে, আৰু
মোৰ নিয়মেৰে উপবাস ৰাখে- ৭ সেই সকলোকে মই নিজৰ পবিত্ৰ
পৰ্ব্বতলৈ আনিম, আৰু মোৰ প্ৰাৰ্থনা-গৃহত তেওঁলোকক আনন্দিত
কৰিম; তেওঁলোকৰ হোম-বলি আৰু তেওঁলোকৰ বলিদান মোৰ যজ্ঞ-
বেদিৰ ওপৰত গ্ৰহণ কৰা হ'ব, কাৰণ মোৰ গৃহক সকলো জাতিৰ
প্ৰাৰ্থনা-গৃহ বুলি কোৱা হ'ব। ৮ যি জনে ইস্ৰায়েলৰ সমাজচ্যুত সকলক
গোটায়, সেই ঈশ্বৰ যিহোৱাই ঘোষনা কৰিছে: তেওঁলোকৰ উপৰিও
মই এতিয়াও আন লোকসকলকো গোটাম। ৯ পথাৰৰ সকলো বনৰীয়া
জন্তুবোৰ, অৰন্যত থকা জন্তুবোৰ, আহা আৰু গ্ৰাস কৰ! ১০ তাৰ
সকলো প্ৰহৰী অন্ধ; তেওঁলোকে বুজি নাপায়; তেওঁলোক সকলো
ভতুৱা কুকুৰ; ভুকিব নোৱাৰে: তেওঁলোকে সপোন দেখি থাকে, তলত
বাগৰি থাকে, আৰু শুবলৈ ভাল পায়। ১১ সেই কুকুৰবোৰৰ অধিক
ভোক লাগে; সিহঁতৰ কেতিয়াও যথেষ্ট নহয়; তেওঁলোক নিৰ্ণয় ল'ব
নোৱাৰা মেৰ-ছাগ ৰখীয়া, তেওঁলোক সকলোৱে নিজৰ বাটে ঘূৰি গ'ল,
আৰু অন্যায় লাভৰ বাবে প্ৰতিজনেই লোভী। ১২ তেওঁলোকে কয়,
"আহা আমি দ্ৰাক্ষাৰস আৰু সুৰা পান কৰোঁহক; অহা কালি আজিৰ
দৰে হ'ব, জুখিব নোৱাৰাকৈ এটা মহান দিন হ'ব।"

**৫৭** ধাৰ্মিক লোক ধ্বংস হৈছে, কিন্তু ইয়াক কোনেও বিবেচনা নকৰে;
আৰু বিশ্বাসযোগ্য চুক্তিৰ লোকসকল আঁতৰি যায়, কিন্তু কোনেও
নুবুজে। সেয়ে ধাৰ্ম্মিকসকল পাপৰ পৰা আতৰি যায়। ২ তেওঁ শান্তিত
প্ৰবেশ কৰে; যি সকলে তেওঁলোকৰ সত্যতাত চলে তেওঁলোকে
নিজৰ শয্যাত বিশ্ৰাম কৰে। ৩ কিন্তু তন্ত্ৰ-মন্ত্ৰ কৰা লোকৰ পুত্ৰসকল,
ব্যভিচাৰী আৰু যি মহিলাই নিজকে বেশ্যা কৰিলে, তেওঁলোকৰ
সন্তান সকল ওচৰলৈ আহা। ৪ তোমালোকে কাক আনন্দেৰে উপহাস
কৰিছা? কাৰ বিৰুদ্ধে মুখ মেলিছা আৰু জিভা উলিয়াইছা? তোমালোক
বিদ্ৰোহী আৰু প্ৰৱঞ্চকৰ সন্তান নোহোৱানে? ৫ তোমালোকে ওক গছ
আৰু প্ৰত্যেক জোপা সেউজীয়া গছৰ তলত কামাগ্নিত উত্তেজিত হোৱা,
যি তোমালোক, তোমালোকে ওপৰৰ পৰা ওলমি থকা শিলাময়ৰ

তলৰ নদীৰ কিনাৰত নিজৰ সন্তান সকলক বধ কৰোঁতা। ৬ নদীৰ
উপত্যকাৰ মাজৰ মৃসণ বস্তুবোৰ তোমালোকৰ বাবে আৰোপিত।
সেইবোৰেই তোমালোকৰ উপাসনাৰ সামগ্ৰী। সেইবোৰৰ উদ্দেশ্যে
তোমালোকে পেয় নৈবেদ্য আৰু শস্যৰ নৈবেদ্য ঢালিছা। ৭ ওখ পৰ্ব্বতৰ
ওপৰত তুমি তোমাৰ শোৱাপাটি পাৰিলা; আৰু তুমি বলিদান কৰিবলৈ
সেই ঠাইত উঠিলা; ৮ তুমি দুৱাৰ আৰু দুৱাৰৰ খুটাৰ পাছফালে
নিজৰ প্ৰতীক স্থাপন কৰিলা; তুমি মোক পৰিত্যাগ কৰিলা, নিজে
বিৱস্ত্ৰ থ'লো আৰু ওপৰলৈ উঠিলা; তুমি তোমাৰ শোৱাপাটি বহল
কৰিলা। তেওঁলোকৰ লগত তুমি এটি নিয়ম কৰিলা, তুমি তেওঁলোকৰ
শোৱাপাটিবোৰ ভাল পোৱা; তুমি তেওঁলোকৰ গোপনীয় অংশবোৰ
দেখিছা। তুমি তোমাৰ ৰাজদূতক বহু দূৰত পঠোৱা; তুমি চিয়োলৰ
তললৈ গৈছা। ৯ তুমি তেলেৰে সৈতে মলেক নামৰ দেৱতাৰ ওচৰলৈ
গ'লা; আৰু তুমি সুগন্ধি দ্ৰব্য অধিক কৰিলা, তুমি তোমাৰ ৰাজদূতক
বহু দূৰলৈ পঠালা, আৰু চিয়োললৈকে নিজকে অৱনত কৰিলা; **(Sheol
h7585)** ১০ তোমাৰ দীঘল যাত্ৰাৰ বাবে তুমি ভাগৰিলা; কিন্তু তুমি
কেতিয়াও এই বুলি নকলা, "এইটো আশাহীন।" তুমি তোমাৰ হাতত
জীৱন পালা; সেই কাৰণে তুমি দুৰ্ব্বল হোৱা নাই। ১১ তুমি কাৰ বিষয়ে
চিন্তিত আৰু ভয় কৰিছা যে, তুমি অতি প্ৰতাৰণাপূৰ্বক কাৰ্য কৰিছা?
তুমি মোক সোঁৱৰণ কৰা নাই বা মোৰ বিষয়ে গম্ভীৰভাৱে বিবেচনা
কৰা নাই। মই বহুদিনৰ পৰা নিজম দি থকা নাই নে? কিন্তু তথাপিও
তুমি মোক গম্ভীৰভাৱে লোৱা নাই। ১২ মইয়ে তোমাৰ ধাৰ্মিকতা
প্ৰকাশ কৰিম, কিন্তু তোমাৰ কাৰ্যৰ দৰে, তোমাক সেইবোৰে সহায়
নকৰিব। ১৩ যেতিয়া তুমি কাতৰোক্তি কৰা, তেতিয়া তুমি গোটোৱা
দেৱতাবোৰে তোমাক উদ্ধাৰ কৰক; কিন্তু সেই আটাইবোৰক বতাহে
উৰোৱাই নিব, আৰু এক ফুঁতে সেইবোৰক নিয়া হব। তথাপি যি
মানুহে মোত আশ্ৰয় লব, তেওঁ দেশৰ আধিপত্য পাব, আৰু মোৰ পবিত্ৰ
পৰ্ব্বতটোত অধিকাৰ কৰিব। ১৪ তেওঁ ক'ব, "নিৰ্মাণ কৰা, নিৰ্মাণ
কৰা! পথ যুগুত কৰা! মোৰ লোকসকলৰ বাবে পথৰ পৰা উজুটি খোৱা
মূঢ়া দূৰ কৰা। ১৫ এইটোৰ কাৰণে যি জন অনন্তকালস্থায়ী, যাৰ

নাম পবিত্ৰ, আৰু উৰ্দ্ধ আৰু উন্নত যি জন তেওঁ এইদৰে কৈছে, “মই
উৰ্দ্ধলোকত আৰু পবিত্ৰ স্থানত বাস কৰোঁ, আৰু নম্ৰ মনৰ লোকসকলক
সচেতন কৰিবলৈ, ভগ্নচিত্তীয়াসকলৰ হৃদয় সতেজ কৰিবলৈ, মই
সেই ভগ্নচিত্তীয়া আৰু নম্ৰ মনৰ লোকৰ লগতো বাস কৰোঁ। ১৬ কাৰণ
মই সদায় অভিযোগ নকৰিম, নাইবা চিৰকাললৈকে মই ক্ৰোধ কৰি
নাথাকিম; কিয়নো তেনে কৰিলে, মই নিৰ্মাণ কৰা জীৱন, মানুহৰ
আত্মা মোৰ আগত মূৰ্চ্ছিত হ’ব। ১৭ তেওঁৰ হিংসাত্মক কাৰ্যৰ দ্বাৰাই
কৰা পাপৰ কাৰণে, মই ক্ৰোধিত হৈছিলো, আৰু তেওঁক দণ্ড দিছিলোঁ;
মই মোৰ মুখ লুকুৱাই ক্ৰোধ কৰিলোঁ; কিন্তু তেওঁ বিপথে গৈ নিজৰ
মনৰ ইচ্ছামতে চলি থাকিল। ১৮ মই তেওঁৰ পথ দেখিলোঁ, কিন্তু মই
তেওঁক সুস্হ কৰিম; মই তেওঁক চলাম, আৰু শোক কৰাসকলক শান্ত্বনা
পুনৰায় দিম। ১৯ আৰু মই ওঁঠৰ ফল সৃষ্টি কৰোঁ; যিহোৱাই কৈছে,
ওচৰত থকা আৰু দূৰত থকা উভয়ৰ মাজত শান্তি হওক, শান্তি হওক;
আৰু মই তেওঁলোকক সুস্থ কৰিম। ২০ কিন্তু দুষ্টবোৰ চঞ্চল সমুদ্ৰৰ
দৰে; যি থিৰে থাকিব নোৱাৰে, আৰু তাৰ জল সমূহে বোকা আৰু মল
তোলে; ২১ ঈশ্বৰে কৈছে, “দুষ্টবোৰৰ তাত কোনো শান্তি নাই।”

**৫৮** তুমি উচ্চস্বৰে কান্দা, বৈ নাথাকিবা; শিঙাৰ দৰে উচ্চ-ধ্বনি
কৰা, মোৰ লোকসকলক তেওঁলোকৰ অধৰ্মৰ সৈতে, আৰু যাকোবৰ
বংশৰ আগত তেওঁলোকৰ পাপবোৰ সন্মুখীন কৰোঁৱা। ২ তথাপি
তেওঁলোকে মোক প্ৰতিদিনে বিচাৰে, আৰু মোৰ পথৰ বিষয়ে জানিবলৈ
ভাল পায়; নিজৰ ঈশ্বৰৰ বিধি ত্যাগ নকৰে আৰু অভ্যস্ত ধৰ্মৰ জাতিৰ
দৰে তেওঁলোকে ধৰ্মৰ বিচাৰবোৰ মোৰ পৰা খোজে, আৰু ঈশ্বৰৰ
ওচৰলৈ চাপিবলৈ ভাল পায়। ৩ তেওঁলোকে কয়, “আমি কিয় লঘোনে
থাকিলো?” তুমি দৃষ্টি নকৰিলা? আমি কিয় নিজকে নম্ৰ কৰিলোঁ, তুমি
মন নিদিলা? চোৱা, তোমালোকে লঘোনত থকা দিনাও তোমালোকৰ
নিজৰ আনন্দ বিচাৰা আৰু তোমালোকৰ বনুৱাসকলক উপদ্ৰৱ কৰা।
৪ চোৱা, তোমালোকে বিবাদ আৰু দ্বন্দ কৰা, আৰু খণ্ডেৰে ভুকু মাৰিবৰ
অৰ্থেহে লঘোন দিয়া; বৰ্ত্তমানে তোমালোকে উৰ্দ্ধলোকত তোমালোকৰ
মাত শুনাব পৰাকৈ লঘোন নিদিয়া। ৫ মই বিচাৰা লঘোন সঁচাই এইয়ে

নে? প্ৰতিজনে নিজকে নম্ৰ কৰিবলৈ এদিন, নলখাগড়ৰিৰ দৰে তেওঁৰ
মূৰ দোঁওৱা, আৰু চটকাপোৰ বিস্তাৰ কৰা আৰু ছাঁইত বহা, তুমি সঁচাই
ইয়াকে লঘোন বোলা নে আৰু যিহোৱাৰ গ্ৰহণীয় দিন বোলা নে? ৬ মই
মনোনীত কৰা লঘোন এয়া নহয়: দুষ্টতাৰ বান্ধ মুকলি কৰা, ষাঁড়গৰুৰ
যুৱলিৰ শলমাৰি সোলোকোৱা, ভগ্ন কৰিবলৈ লোৱা লোকক স্বাধীন
কৰা, আৰু প্ৰত্যেক যুৱলি ভঙাই জানো মোৰ মনোনীত লঘোন নহয়?
৭ ক্ষুধাতুৰ লোকৰ সৈতে তোমাৰ আহাৰ ভগাই লোৱা, আৰু ঘৰহীনা
দুখীয়াসকলক নিজৰ ঘৰত আশ্ৰয় দিয়াই লঘোন নহয় নে? যেতিয়া
তুমি চোৱা কোনোএজন বিৱস্ত্ৰতাত আছে, তুমি তেওঁক বস্ত্ৰ দিয়া
উচিত; আৰু তোমাৰ সম্পৰ্কীয় লোকৰ পৰা নিজকে লুকুৱাই ৰখা উচিত
নহয়। ৮ ইয়াকে কৰিলে, অৰুণোদয়ৰ দৰে তোমাৰ দীপ্তি প্ৰকাশ পাব,
আৰু তোমাৰ আৰোগ্যতা শীঘ্ৰে দেখা যাব, তোমাৰ ধাৰ্মিকতা তোমাৰ
আগত যাওঁতা, আৰু যিহোৱাৰ গৌৰৱ তোমাৰ পাছত যাওঁতা হ'ব। ৯
তেতিয়া তুমি মাতিলে, যিহোৱাই তোমাক উত্তৰ দিব; তুমি সহায়ৰ
বাবে কাতৰোক্তি কৰিলে, তেওঁ ক'ব, "এইয়া মই আছোঁ।" যদি তুমি
নিজৰ মাজৰ পৰা যুৱলি, দোষাৰোপ কৰা আঙুলি, আৰু অৰ্ধম্মবাক্য
দূৰ কৰা, ১০ যদি তুমি তোমাৰ আহাৰ ক্ষুধাতুৰ লোকক দিয়া, আৰু
দুখিত প্ৰাণীক সন্তুষ্ট কৰা, তেনেহ'লে আন্ধাৰৰ মাজত তোমাৰ দীপ্তি
উদয় হ'ব, আৰু তোমাৰ অন্ধকাৰ দুপৰ বেলাৰ দৰে হ'ব; ১১ আৰু
যিহোৱা সদায় তোমাৰ পথদৰ্শক হ'ব, আৰু শুকান ঠাইবোৰত তোমাৰ
প্ৰাণ তৃপ্ত কৰিব, আৰু তোমাৰ অস্থিবোৰ সবল কৰিব; তাতে তুমি পানী
দিয়া এক উদ্যানৰ দৰে হ'বা, আৰু যাৰ জল কেতিয়াও শুকাই নাযায়,
তুমি এনে এক জলভুমুকৰ দৰে হ'বা। ১২ তোমাৰ বংশৰ কিছুলোকে
বহু দিনৰ পৰা উচ্ছন্ন হৈ থকা ঠাইবোৰ পুনৰায় নিৰ্ম্মাণ কৰিব; আৰু
তুমি অনেক প্ৰজন্মৰ উচ্ছন্ন হোৱা ভিত্তিমূল স্থাপন কৰিবা; তুমি দেৱাল
মেৰামতকাৰী বুলি মতা হ'বা, আৰু দেশ নিবাসীৰ বাবে পথ যুগুত
কৰোঁতা বুলি প্ৰখ্যাত হ'বা। ১৩ যদি তুমি মোৰ বিশ্ৰাম-দিনৰ ভ্ৰমণৰ
পৰা তোমাৰ ভৰি আঁতৰোৱা, আৰু বিশ্ৰাম দিনত নিজৰ সুখদায়ক কাৰ্য
কৰা। যদি যিহোৱাৰ পবিত্ৰ দিনক মাননীয় বুলি কোৱা, আৰু যিহোৱা

বিষয়ক পবিত্ৰ আৰু সন্মানীয় বুলি মতা, তোমাৰ নিজৰ কাৰ্য সিদ্ধ
নকৰি, তোমাৰ অভিলষিত চেষ্টা নকৰি, আৰু নিজৰ কথা নকৈ তাক
মান্য কৰা, ১৪ তেনেহ'লে তুমি যিহোৱাত সুখী হবা; আৰু মই তোমাক
ৰথত তুলি পৃথিৱীৰ ওখ ঠাইবোৰৰ ওপৰত ফুৰাম, আৰু তোমাৰ পিতৃ
যাকোবৰ আধিপত্য তোমাক ভোগ কৰাম। কিয়নো যিহোৱাৰ নিজৰ
মুখে ইয়াক ক'লে।
**৫৯** চোৱা, যিহোৱাৰ হাত এনে চুটি নহয় যে, তেওঁ তাৰে পৰিত্ৰাণ
কৰিব নোৱাৰে, আৰু তেওঁৰ কাণ এনে গধূৰ নহয় যে, তেওঁ তাৰে শুনিব
নোৱাৰে; ২ কিন্তু তোমালোকৰ অপৰাধবোৰেই তোমালোকৰ ঈশ্বৰৰ
পৰা তোমালোকক বিচ্ছেদ কৰিছে, আৰু তোমালোকৰ পাপবোৰেই
তোমালোকৰ পৰা তেওঁৰ মুখ ঢাকিছে, সেই বাবে তেওঁ নুশুনে। ৩
কিয়নো তোমালোকৰ হাত তেজেৰে আৰু তোমালোকৰ আঙুলিবোৰ
অপৰাধেৰে অশুচি হৈ আছে। তোমালোকৰ ওঁঠে মিছা কথা কৈছে,
তোমালোকৰ জিভাই দুষ্টতাৰ কথা কৈছে। ৪ কোনেও ধাৰ্মিকতাৰে
গোচৰ নকৰে, আৰু কোনেও সত্যতাৰে প্ৰতিবাদ নকৰে; তেওঁলোকে
অসাৰ কথাত ভাৰসা কৰে, আৰু মিছা কথা কয়, তেওঁলোকে সমস্যা
গৰ্ভধাৰণ কৰি অধৰ্ম প্ৰসৱ কৰে। ৫ তেওঁলোক সাপৰ কণী উমনি লৈ
জগায়, আৰু মকৰাৰ জাল গাঁথে; যি জনে তেওঁলোকৰ কণী খায়, সি
মৰে, আৰু যি কণী ভাগে, তাৰ পৰা কালসৰ্প বাহিৰ হয়। ৬ তেওঁলোকে
গঁথা ঊন বস্ত্ৰৰ বাবে ব্যৱহাৰ কৰা নহ'ব, আৰু তেওঁলোকে কৰা বস্ত্ৰেৰে
নিজৰ গা নাঢাকিব; তেওঁলোকৰ কাৰ্য অধৰ্মৰ কাৰ্য, আৰু তেওঁলোকৰ
নিজৰ হাতেৰে অত্যাচাৰ কৰে। ৭ তেওঁলোকৰ ভৰি কুকৰ্মৰ ফাললৈ
বেগাই চলে, আৰু তেওঁলোকে নিৰ্দ্দোষীৰ ৰক্তপাত কৰিবলৈ বেগাবেগি
কৰে; তেওঁলোকৰ কল্পনাবোৰ অধৰ্মৰ কল্পনাহে; ধ্বংস আৰু উচ্ছন্নতা
তেওঁলোকৰ পথত আছে। ৮ তেওঁলোকে শান্তিৰ পথ নাজানে, আৰু
তেওঁলোকৰ পথত ন্যায় বিচাৰ নাই; তেওঁলোকে কুটিল পথ সাজে; যি
জনে সেই পথত চলে, তেওঁ শান্তিৰ কথা নাজানে। ৯ এই কাৰণে ন্যায়
বিচাৰ আমাৰ পৰা বহু দূৰত আছে, আৰু ধাৰ্মিকতাই আমাৰ লগ ধৰিব
নোৱাৰে। আমি পোহৰৰ বাবে অপেক্ষা কৰি থাকোঁ, কিন্তু অন্ধকাৰ

দেখা পাওঁ, আৰু দীপ্তিলৈ বাট চাই থাকোঁ, কিন্তু ঘোৰ অন্ধকাৰত ভ্ৰমণ
কৰোঁ। ১০ আমি অন্ধলা লোকৰ দৰে দেৱালত খপিয়াওঁ, চকুহীন
লোকৰ দৰে খপিয়াই ফুৰোঁ; গধূলি বেলাৰ দৰে দুপৰ বেলাতো আমি
উজটি খাওঁ; আৰু শক্তিমান লোকৰ মাজত আমি মৰা মানুহৰ দৰে
থাকোঁ। ১১ আমি ভালুকৰ দৰে চিঞৰি আছোঁ, আৰু কপৌৰ দৰে
শোকধ্বনি কৰি আছোঁ; আমি ন্যায় বিচাৰৰ বাবে অপেক্ষা কৰোঁ, কিন্তু
সেয়ে নাই; আৰু পৰিত্ৰাণলৈ বাট চাই থাকোঁ, কিন্তু সিও আমাৰ পৰা
বহু দূৰত থাকে। ১২ কিয়নো আপোনাৰ সাক্ষাতে আমাৰ অপৰাধ
অনেক, আৰু আমাৰ পাপবোৰে আমাৰ বিৰুদ্ধে সাক্ষ্য দিছে; কিয়নো
আমাৰ অপৰাধবোৰ আমাৰ লগত আছে, আৰু আমি আমাৰ অৰ্ধৰ্ম্মবোৰ
জানো। ১৩ এইবোৰেই অপৰাধ কৰি যিহোৱাক অস্বীকাৰ কৰা, নিজৰ
ঈশ্বৰৰ পাছত চলাৰ পৰা বিমুখ হোৱা, আমি অন্যায় দাবীৰ কথা
কৈছিলোঁ আৰু পৃথকে ঘূৰিছিলোঁ, আৰু অন্তৰত মিছা কথা গৰ্ভধাৰণ
কৰি তাক প্ৰসৱ কৰা। ১৪ আৰু ন্যায় বিচাৰ পাছলৈ হুঁহকি গৈছে,
আৰু ধাৰ্মিকতা দূৰত থিয় হৈ আছে; কিয়নো জনসাধাৰণৰ মাজত
সত্যতা উজুটি খাই পৰিছে, আৰু সত্যতা তাত আহিব নোৱাৰে। ১৫
বিশ্বাসযোগ্যতা সত্যতাৰ আঁতৰি গ'ল, আৰু অধৰ্ম ত্যাগ কৰা লোক
নিজকে জীৱন্ত বলি সাজিছে। ১৬ যিহোৱাই দৃষ্টি কৰি ন্যায় বিচাৰ
নেদেখি অসন্তোষ্ট হল। আৰু তেওঁ কোনো পুৰুষ বা মধ্যস্থ নেদেখি
বিস্মিত হ'ল হল; সেই বাবে তেওঁৰ নিজৰ বাহুৱেই তেওঁৰ কাৰণে
পৰিত্ৰাণ সিদ্ধ কৰিলে, আৰু তেওঁৰেই ধাৰ্মিকতা তেওঁৰ আশ্ৰয় হল।
১৭ তেওঁ ধাৰ্মিকতাৰূপ বুকু-পটা পিন্ধিলে, আৰু মূৰত পৰিত্ৰাণৰূপ
শিৰোৰক্ষক পিন্ধিলে, আৰু গাৰ বস্ত্ৰৰ বাবে প্ৰতিকাৰৰূপ সাজ পৰিধান
কৰিলে, আৰু আবেগপূৰ্ণ জামা গাত দিলে। ১৮ তেওঁ তেওঁলোকৰ কাৰ্য
অনুসাৰে প্ৰতিফল দিব; তেওঁৰ শত্ৰূবোৰক ক্ৰোধৰ, নিজ বৈৰীবোৰক
অপকাৰৰ প্ৰতিফল দিব; আৰু দ্বীপবোৰক তেওঁ প্ৰতিফলৰ দৰে দণ্ড
দিব। ১৯ সেয়ে লোকসকলে পশ্চিম দিশৰ পৰা যিহোৱাৰ নামলৈ, আৰু
সূৰ্য উদয় হোৱা ফালৰ পৰা তেওঁৰ প্ৰতাপলৈ ভয় কৰিব; যেতিয়া
শত্ৰু প্লাৱনৰ দৰে আহিব, তেতিয়া যিহোৱাৰ আত্মা ধ্বজাৰ দৰে তাৰ

বিৰুদ্ধে থাকিব। ২০ “চিয়োনলৈ, আৰু যাকোবৰ মাজত থকা অপৰাধৰ
পৰা ঘূৰাসকলৰ ওচৰলৈ এজন মুক্তিদাতা আহিব,” এয়ে যিহোৱাৰ
ঘোষণা। ২১ “মোৰ বাবে তেওঁলোকে সৈতে নিয়ম এই” যিহোৱাই
কৈছে, “তোমাৰ ওপৰত থকা মোৰ আত্মা, আৰু মই তোমাৰ মুখত
থোৱা মোৰ বাক্যবোৰ, তোমাৰ মুখৰ পৰা, বা তোমাৰ বংশৰ মুখৰ
পৰা, নাইবা তোমাৰ বংশত উৎপন্ন হোৱা বংশৰ মুখৰ পৰাও, আজিৰে
পৰা সৰ্ব্বকাললৈকে কেতিয়াও নুগুচিব, এয়ে যিহোৱাৰ বচন।”

**৬০** উঠা, দীপ্তি দিয়া; কিয়নো তোমাৰ পোহৰ আহিছে, আৰু
যিহোৱাৰ গৌৰৱ তোমাৰ ওপৰত উদয় হৈছে। ২ কাৰণ চোৱা,
আন্ধাৰে পৃথিৱী ঢাকিব, আৰু ঘোৰ অন্ধকাৰে লোক সমূহক ঢাকিব;
কিন্তু যিহোৱা তোমাৰ ওপৰত উদয় হ’ব, আৰু তোমাৰ ওপৰত তেওঁৰ
গৌৰৱ প্ৰকাশিত হ’ব। ৩ লোক সমূহ তোমাৰ পোহৰৰ ওচৰলৈ আহিব,
আৰু ৰজাসকলে তোমাৰ উদয় হোৱা দীপ্তিৰ ওচৰলৈ আহিব। ৪ তুমি
চকু ফুৰাই চাৰিওফালে চোৱা; তেওঁলোক সকলোৱে গোট খাই তোমাৰ
ওচৰ চাপিছে; তোমাৰ পুত্ৰসকল দূৰৰ পৰা আহিছে আৰু তোমাৰ
জীয়েকসকলক বাহুত বুকি অনা হৈছে। ৫ সেই কালত তুমি দেখি
প্ৰফুল্লিত হ’বা, আৰু তোমাৰ হৃদয় আনন্দেৰে উপচি পৰিব, কাৰণ
সমুদ্ৰৰ প্ৰচুৰ ধন তোমাক দিয়া যাব আৰু লোকসকলৰ সম্পত্তি তোমাৰ
ওচৰলৈ আহিব। ৬ উটসমূহে, মিদিয়ন আৰু ঐফাৰ ডেকা উটবোৰে
তোমাক ঢাকি পেলাব; সেই আটাইবোৰ চিবাৰ পৰা আহিব; সেইবোৰে
সোণ আৰু কুন্দুৰু বৈ আনিব, আৰু যিহোৱাৰ প্ৰশংসা গীত গাব। ৭
কেদৰৰ আটাই মেৰ-ছাগৰ জাক তোমাৰ ওচৰত গোট খাব আৰু
নবায়োতৰ মতা মেৰ-ছাগবোৰে তোমাৰ পৰিচৰ্যা কৰিব; সেইবোৰ
গ্ৰহণীয় হৈ মোৰ যজ্ঞ-বেদিত উঠিব, আৰু মোৰ গৌৰৱযুক্ত গৃহ মই
গৌৰৱান্বিত কৰিম। ৮ মেঘৰ দৰে আৰু নিজৰ বাহৰ সোমোৱা বাটলৈ
অহা কপৌৰ দৰে উড়ি অহা এওঁলোক কোন? ৯ নিশ্চয়ে দ্বীপবোৰে
মোলৈ অপেক্ষা কৰিব; তোমাৰ পুত্ৰসকলক তেওঁলোকৰ ৰূপৰ আৰু
সোণৰ সৈতে দূৰৰ পৰা আনিবলৈ, ঈশ্বৰ যিহোৱাই, ইস্ৰায়েলৰ পবিত্ৰ
ঈশ্বৰ জনাই তোমাক গৌৰৱান্বিত কৰাৰ কাৰণে, তৰ্চীচৰ জাহাজ

আগ হ’ব। ১০ বিদেশী লোকসকলে দেৱাল পুনৰায় নিৰ্মাণ কৰিব,
আৰু তেওঁলোকৰ ৰজাসকলে তোমাৰ পৰিচৰ্যা কৰিব; কিয়নো মই
যেনেকৈ তোমাক ক্ৰোধত দণ্ড দিলোঁ, তেনেকৈ অনুগ্ৰহত তোমালৈ
দয়াও কৰিলোঁ। ১১ লোকসকলে যেন জাতি সমূহৰ ধন-সম্পত্তি আৰু
বন্দি কৰি অনাসকলৰ ৰজাসকলক তোমাৰ ভিতৰলৈ আনিব পাৰে,
সেই বাবে তোমাৰ দুৱাৰবোৰ সদায় মেলা হৈ থাকিব, দিন বা ৰাতি
কেতিয়াও বন্ধ কৰা নহ’ব। ১২ কিয়নো যি জাতি আৰু যি ৰাজ্যই
তোমাৰ বশ্যতা স্বীকাৰ নকৰিব, সেই উভয়েই সম্পূৰ্ণ বিনষ্ট হ’ব; ১৩
লিবানোনৰ গৌৰৱ তোমালৈ আহিব; দেৱদাৰু, তিধৰ, আৰু তাচুৰ
গছ একেলগে, মোৰ পবিত্ৰ স্থান ভূষিত কৰিবৰ অৰ্থে আহিব; আৰু
মই মোৰ চৰণ থোৱা ঠাই প্ৰতাপযুক্ত কৰিম। ১৪ তেওঁলোক তোমাক
প্ৰণিপাত কৰিবলৈ আহিব, তোমাক কষ্ট দিয়াসকলৰ সন্তানবোৰ মূৰ
দোঁৱাই তোমাৰ চৰণত পৰি প্ৰণিপাত কৰিব, তেওঁলোকে তোমাক
যিহোৱাৰ নগৰ, ইস্ৰায়েলৰ পবিত্ৰ ঈশ্বৰ জনাৰ চিয়োন বুলি মাতিব।
১৫ তুমি এনে পৰিত্যক্তা আৰু ঘৃণিতা থ’লো যে, কোনো পথিক তোমাৰ
মাজেদি নাজায়; তাৰ সলনি মই তোমাক চিৰকাল থকা প্ৰশংসাৰ,
আৰু পুৰুষানুক্ৰমে আনন্দৰ বিষয় কৰিম। ১৬ আৰু তুমি জাতি সমূহৰ
দুগ্ধ পান কৰিবা, আৰু ৰজাসকলৰ স্তন চুহিবা; তাতে মই যিহোৱা যে
তোমাৰ ত্ৰাণকৰ্ত্তা, তোমাৰ মুক্তিদাতা, যাকোবৰ পৰাক্ৰমী জনা, ইয়াক
তুমি জানিবা। ১৭ মই পিতলৰ সলনি সোণ, লোহাৰ সলনি ৰূপ, কাঠৰ
সলনি পিতল, আৰু শিলবোৰৰ সলনি লোহা আনিম; আৰু মই শান্তিক
তোমালোকৰ অধ্যক্ষসকলৰ দৰে, আৰু ন্যায়বিচাৰক শাসনকৰ্ত্তাৰ
দৰে নিযুক্তি কৰিম। ১৮ তোমাৰ দেশত অত্যাচাৰৰ আৰু তোমাৰ
সীমাৰ ভিতৰত বিনষ্ট হোৱাৰ বা ধ্বংসৰ কথা আৰু শুনা নাযাব; কিন্তু
তুমি তোমাৰ দেৱালৰ নাম পৰিত্ৰাণ, আৰু তোমাৰ দুৱাৰৰ নাম প্ৰশংসা
ৰাখিবা। ১৯ দিনত সূৰ্য তোমাৰ দীপ্তি আৰু নহ’ব, আৰু পোহৰৰ
অৰ্থে চন্দ্ৰই তোমাক জোনাক নিদিব; কিন্তু যিহোৱায়েই তোমাৰ
অনন্তকলীয়া জ্যোতি, আৰু তোমাৰ ঈশ্বৰেই তোমাৰ ভূষণস্বৰূপ হ’ব।
২০ তোমাৰ সূৰ্য আৰু অস্ত নাযাব, তোমাৰ চন্দ্ৰও আৰু মাৰ নাযাব,

কিয়নো যিহোৱা তোমাৰ অনন্তকলীয়া জ্যোতি হ'ব, আৰু তোমাৰ
শোকৰ দিন সমাপ্ত হ'ব। ২১ মই গৌৰৱান্বিত হ'বলৈ মই ৰোৱা গছৰ
পোখা আৰু মোৰ হাতে কৰা কৰ্মস্বৰূপ যি তোমাৰ লোক সকলোৱেই
ধাৰ্মিক হ'ব; তেওঁলোকে অনন্ত কাললৈকে দেশ অধিকাৰ কৰিব। ২২
যি সৰু সি হাজাৰ হৈ উঠিব; সৰু জাতি বৃহৎ হ'ব; মই যিহোৱাই উচিত
সময়ত ইয়াক সাম্ফল কৰিবলৈ বেগী হম।

**৬১** প্ৰভু যিহোৱাৰ আত্মা মোত স্থিতি লৈছে, কাৰণ যিহোৱা মোক
অভিষিক্ত কৰিলে নম্ৰ লোকসকলৰ আগত শুভবাৰ্ত্তা প্ৰচাৰ কৰিবলৈ,
ভগ্নচিত্তীয়াসকলক সুস্থ কৰিবলৈ, বন্দীত্বত থকাসকলৰ আগত মুক্তিৰ
কথা ঘোষণা কৰিবলৈ, আৰু বন্দীশালত থকা সকলক মুকলি কৰিবলৈ।
২ যিহোৱাৰ অনুগ্ৰহৰ বছৰ আৰু আমাৰ ঈশ্বৰৰ প্ৰতিফল দিয়া দিন
ঘোষণা কৰিবলৈ, আটাই শোক কৰা সকলক শান্ত্বনা দিবলৈ, তেওঁ
মোক পঠিয়ালে। ৩ চিয়োনত শোক কৰা সকলৰ বাবে ঠাই প্ৰস্তুত
কৰিবলৈ, ছাঁইৰ সলনি পাগুৰি, শোকৰ সলনি আনন্দৰ তেল, আৰু
দুৰ্ব্বল আত্মাৰ সলনি প্ৰশংসাৰ আত্মা দান কৰিবলৈ, তেওঁলোকক
ধাৰ্মিকতাৰ গছ, আৰু যিহোৱাৰ গৌৰৱৰ অৰ্থে তেৰেঁ পতা উদ্যান
বুলি প্ৰখ্যাত হ'ব। ৪ তেওঁলোকে পুৰণি ধ্বংসস্থানবোৰ পুনৰায়
নিৰ্ম্মাণ কৰিব, আগৰ কালৰে পৰা উচ্ছন্ন হৈ থকা ঠাইবোৰ পুনৰায়
স্থাপন কৰিব, বহু আগৰ পৰা পুৰুষানুক্ৰমে ধ্বংস হৈ জনশূন্য হোৱা
নগৰবোৰ পুনৰ স্থাপন কৰিব। ৫ বিদেশী লোকসকল দায়িত্ব ল'ব আৰু
তোমালোকৰ জাকবোৰ চৰাব, আৰু বিদেশী লোকসকলৰ পুত্ৰ সকলে
তোমালোকৰ পথাৰত আৰু দ্ৰাক্ষাবাৰীত কাম কৰিব। ৬ তোমালোকক
যিহোৱাৰ পুৰোহিত বুলি মতা হ'ব; তেওঁলোকে তোমালোকক ঈশ্বৰৰ
দাস বুলি ক'ব; তোমালোকে দেশৰ ধন-সম্পত্তি ভোগ কৰিবা, আৰু
তেওঁলোকৰ ঐশ্বৰ্যত তোমালোকে গৌৰৱ কৰিবা। ৭ তোমালোকৰ
লাজৰ পৰিৱৰ্তে তোমালোকে দুগুণ পাবা, আৰু তেওঁলোকে অপমানৰ
পৰিৱৰ্তে নিজৰ অংশত আনন্দ কৰিব; সেয়ে তেওঁলোকে তেওঁলোকৰ
দেশত দুগুণ অংশ লাভ কৰিব, আৰু তেওঁলোকৰ অনন্তকলীয়া আনন্দ
হ'ব। ৮ কাৰণ মই যিহোৱাই ন্যায় বিচাৰ ভাল পাওঁ, মই চুৰ

কৰা কাৰ্য আৰু অন্যায় অত্যাচাৰ ঘিণ কৰোঁ; মই বিশ্বাসযোগ্যতাৰে
তেওঁলোকক প্ৰতিফল দিম, আৰু তেওঁলোকৰ সৈতে অনন্তকলীয়া
চুক্তি স্থাপন কৰিম। ৯ তেওঁলোকৰ বংশৰ লোকসকল দেশৰ মাজত,
আৰু তেওঁলোকৰ সন্তানসকল লোকসকলৰ মাজত প্ৰখ্যাত হ'ব;
তেওঁলোকক যি সকলে দেখিব, তেওঁলোকে তেওঁলোকক যিহোৱাৰ
আশীৰ্ব্বাদপ্ৰাপ্ত বংশ বুলি স্বীকাৰ কৰিব। ১০ মই যিহোৱাত অতিশয়
আনন্দ কৰিম মোৰ প্ৰাণে মোৰ ঈশ্বৰত উল্লাস কৰিব; কাৰণ তেওঁ
মোক পৰিত্ৰাণৰূপ বস্ত্ৰ পিন্ধালে, আৰু ধাৰ্মিকতাৰূপ চোলাৰে মোক
বিভূষিত কৰিলে, যিদৰে দৰাই পাগুৰিৰে নিজকে বিভূষিত কৰে,
আৰু কন্যাই যিদৰে অলঙ্কাৰেৰে নিজকে শোভিত কৰে। ১১ কাৰণ
পৃথিবীয়ে যিদৰে গছবোৰৰ পোখা মেলায়, আৰু বাৰীয়ে যিদৰে তাত
ৰোৱা সকলোকে গজায়, সেইদৰে প্ৰভু যিহোৱাই সকলো দেশবাসীৰ
সাক্ষাতে ধাৰ্মিকতা আৰু প্ৰশংসা উৎপন্ন কৰিব।

**৬২** চিয়োনৰ বাবে মই নিজম দি নাথাকোঁ, আৰু যিৰূচালেমৰ বাবে
মই নিৰৱে নাথাকোঁ, যেতিয়ালৈকে তেওঁৰ ধাৰ্মিকতা উজ্বলতাৰে
আগুৱাই নাযায়, আৰু তেওঁৰ পৰিত্ৰাণ জ্বলি থকা প্ৰদীপৰ দৰে নহয়।
২ দেশবাসীয়ে তোমাৰ ধাৰ্মিকতা, আৰু সকলো ৰজাই তোমাৰ গৌৰৱ
দেখিব; আৰু যিহোৱাই নিৰ্বাচন কৰা এটা নতুন নামেৰে তোমাক
মতা হ'ব। ৩ তোমালোক যিহোৱাৰ হাতত এটি সুন্দৰ কিৰীটি,
আৰু তোমালোকৰ ঈশ্বৰৰ হাতত এটি ৰাজমুকুটস্বৰূপ হ'বা। ৪
তোমালোকক পুনৰ “পৰিত্যক্ত” বোলা নহ'ব, নাইবা তোমালোকৰ
দেশক “উচ্ছন্ন দেশ” বুলি পুনৰ মতা নহ'ব; তাৰপৰিৱৰ্তে “তেওঁত মই
আনন্দিত” বুলি মতা হ'ব; আৰু তোমাৰ দেশ “বিবাহিতা” বুলি প্ৰখ্যাত
হ'ব; কিয়নো যিহোৱা তোমালোকত সন্তুষ্ট হৈছে, আৰু তোমালোকৰ
দেশ বিবাহিত হ'ব। ৫ কাৰণ যিদৰে যুৱকে যুৱতীক বিবাহ কৰে,
সেইদৰে তোমালোকৰ পুত্ৰসকলে তোমাক বিবাহ কৰিব; আৰু
যিদৰে দৰাই কন্যাত আনন্দ কৰে, সেইদৰে তোমালোকৰ ঈশ্বৰেও
তোমালোকত আনন্দ কৰিব। ৬ হে যিৰূচালেম, তোমাৰ গড়ৰ ওপৰত
মই প্ৰহৰীসকল নিযুক্ত কৰিলোঁ; তেওঁলোকে দিনত বা ৰাতি নিজম দি

নাথাকিব। হে যিহোৱাক সোঁৱৰণ কৰাসকল, তোমালোক ক্ষান্ত নহ'বা;
৭ তেওঁ পুনৰ সংস্থাপন নোহোৱালৈকে তেওঁক জিৰণী ল'বলৈ নিদিবা,
যিৰূচালেম আৰু তেওঁৰ সৃষ্টিয়ে পৃথিবীত প্ৰশংসা কৰক। ৮ যিহোৱাই
নিজৰ সোঁ হাত, আৰু নিজৰ বলৱান বাহুৰে শপত কৰিলে, "তোমাৰ
শত্ৰুবোৰৰ আহাৰৰ বাবে, নিশ্চয়ে মই তেওঁলোকক তোমাৰ শস্য আৰু
নিদিম, আৰু বিদেশীসকলে তুমি পৰিশ্ৰমেৰে অৰ্জ্জা তোমাৰ দ্ৰাক্ষাৰস
আৰু পান কৰিবলৈ নাপাব; ৯ কাৰণ যিসকলে শস্য চপাই, তেওঁলোকে
তাক ভোজন কৰিব আৰু যিহোৱাৰ প্ৰশংসা কৰিব, আৰু যিসকলে
দ্ৰাক্ষাগুটি গোটাই, তেওঁলোকে মোৰ ধৰ্মধামৰ চোতালবোৰত তাৰ
দ্ৰাক্ষাৰস পান কৰিব।" ১০ আহাঁ, দুৱাৰৰ মাজেদি আহাঁ! লোকসকলৰ
বাবে পথ যুগুত কৰা! নিৰ্মাণ কৰা, ৰাজআলি নিৰ্মাণ কৰা! শিলবোৰ
গুটাই পেলাই দিয়া, দেশবাসীসকলৰ বাবে নিচান পতাকা তোলা। ১১
চোৱা, যিহোৱাই পৃথিবীৰ অন্তলৈকে ঘোষণা কৰিছে, "তোমালোকে
চিয়োনজীয়াৰীক কোৱা চোৱা, তোমাৰ ত্ৰাণকৰ্ত্তা আহি আছে; চোৱা,
তেওঁৰ পুৰস্কাৰ তেওঁৰ সৈতে আছে, আৰু তেওঁৰ আগত তেওঁ দিব
লগীয়া প্ৰতিফল আছে'।" ১২ তেওঁলোকে তোমাক "পবিত্ৰ লোক"
আৰু "যিহোৱাৰ মুক্তলোক" বুলি মাতিব; আৰু তুমি "অন্বেষিতা" আৰু
"অপৰিত্যক্ত নগৰ" বুলি প্ৰখ্যাত হ'বা।

**৬৩** ইদোমৰ পৰা, বস্ৰাৰ ৰঙা বস্ত্ৰেৰে সৌজন কোন আহিছে?
ৰাজকীয় বস্ত্ৰেৰে, নিজৰ শক্তিৰ বাহুল্যত দৃঢ়তাৰে খোজ কাঢ়ি অহা
জন কোন? "ধাৰ্মিকতাৰে কথা কোৱা জন, আৰু পৰাক্ৰমেৰে পৰিত্ৰাণ
কৰিবলৈ সমৰ্থ থকা জন মই।" ২ তোমাৰ সাজ ৰঙা কিয়, আৰু
কিয় তোমাৰ বস্ত্ৰ দ্ৰাক্ষাকুণ্ডত দ্ৰাক্ষাগুটি গচকা লোকৰ দৰে? ৩ মই
অকলেই দ্ৰাক্ষাকুণ্ডত দ্ৰাক্ষাগুটি গচকিলোঁ, আৰু দেশৰ কোনো এজনো
মোক সহযোগ নকৰিলে; মই মোৰ ক্ৰোধত সেইবোৰ গচকিলোঁ, আৰু
খঙত সেইবোৰ গচকিলোঁ, মোৰ বস্ত্ৰত সেইবোৰৰ তেজৰ ছিটা লাগিল,
আৰু মোৰ গোটেই সাজত দাগ লগালে। ৪ কাৰণ প্ৰতিকাৰ সাধিবৰ
দিনলৈ মই চালোঁ, আৰু মোৰ মুক্ত কৰিব লগা বছৰ উপস্থিত হৈছিল।
৫ মই দেখিলোঁ যে, সহায় কৰা কোনো এজন নাছিল, মই আচৰিত

হৈছিলোঁ যে সহায় কৰা কোনো নাছিল; কিন্তু মোৰ নিজৰ বাহুৱে মোৰ
বাবে পৰিত্ৰাণ সিদ্ধ কৰিলে, আৰু মোৰ অতি ক্ৰোধেই মোক উপকাৰ
কৰিলে। ৬ মই মোৰ ক্ৰোধত লোকসকলক গচকিলোঁ, আৰু মোৰ
খঙত তেওঁলোকক মাতাল কৰিলোঁ, আৰু মই তেওঁলোকৰ তেজ মাটিত
ছটিয়াই দিলোঁ। ৭ মই যিহোৱাৰ বিশ্বাসযোগ্য নিয়মৰ কাৰ্যবোৰ, আৰু
প্ৰশংসনীয় কাৰ্যবোৰৰ বিষয়ে ক'ম; আৰু যিহোৱাই আমাৰ বাবে কৰা
সকলো কাৰ্যৰ বিষয়ে ক'ম, আৰু ইস্ৰায়েলৰ বংশলৈ কৰা উপকাৰৰ
বিষয়ে ক'ম। তেওঁৰ অনুগ্ৰহৰ কাৰণে এই সকলো দয়া আমাক
দেখালে, আৰু বিশ্বসযোগ্য নিয়মেৰে বহু কাৰ্য কৰিলে। ৮ কাৰণ তেওঁ
কৈছিল, "অৱশ্যে তেওঁলোক মোৰ লোক, এওঁলোক বিশ্বাসঘাত নকৰা
সন্তান।" তেওঁ তেওঁলোকৰ ত্ৰাণকৰ্ত্তা হৈছিল। ৯ তেওঁলোকৰ সমস্ত
দুখত তেওঁ দূখিত হৈছিল, আৰু দূতে তেওঁৰ সন্মুখৰ পৰা তেওঁলোকক
পৰিত্ৰাণ কৰিছিল। তেওঁৰ প্ৰেম আৰু অনুগ্ৰহত তেওঁলোকক মুক্ত
কৰিছিল, আৰু তেওঁ পূৰ্বৰ সকলো সময়ত তেওঁলোকক উন্নত কৰিছিল,
আৰু দাঙি নিছিল। ১০ কিন্তু তেওঁলোকে বিদ্ৰোহ কৰি তেওঁৰ পবিত্ৰ
আত্মাক দুখ দিছিল; সেয়ে তেওঁ তেওঁলোকৰ শত্ৰু হৈছিল, আৰু
তেওঁলোকৰ বিৰুদ্ধে যুদ্ধ কৰিছিল। ১১ তেওঁৰ লোকসকলে পূৰ্বকালৰ
মোচিৰ বিষয়ে শিকিছিল। তেওঁলোকে কৈছিল যে, "যি জনাই নিজৰ
মেৰ-ছাগ ৰখীয়াবোৰৰ সৈতে তেওঁলোকক সমুদ্ৰৰ পৰা উলিয়াই
আনিছিল, সেই ঈশ্বৰ ক'ত? তেওঁলোকৰ মাজত পবিত্ৰ আত্মা স্থাপন
কৰা ঈশ্বৰ ক'ত? ১২ মোচিৰ সোঁহাতত নিজৰ প্ৰৰাক্ৰমী শক্তি দিয়া
ঈশ্বৰ ক'ত? নিজৰ নাম চিৰস্থায়ী কৰিবৰ অৰ্থে তেওঁলোকৰ আগত
জল সমূহ দুভাগ কৰা ঈশ্বৰ ক'ত? ১৩ তেওঁলোকে উজুটি নোখোৱাকৈ,
অৰণ্যত দৌৰা ঘোঁৰাৰ দৰে অগাধ জলৰ মাজেদি তেওঁলোকক লৈ
অহা ঈশ্বৰ ক'ত? ১৪ উপত্যকালৈ নামি যোৱা পশুৰ জাকৰ দৰে
যিহোৱাৰ আত্মাই তেওঁলোকক জিৰণি দিছিল; নিজৰ নামৰ প্ৰশংসা
কৰিবলৈ তুমি তোমাৰ লোকসকলক লৈ আহিছিলা। ১৫ স্বৰ্গৰ পৰা
তললৈ দৃষ্টি কৰা, আৰু তোমাৰ পবিত্ৰতাৰ আৰু গৌৰৱৰ নিবাসৰ
পৰা মনযোগ দিয়া; তোমাৰ আগ্ৰহ আৰু মহৎ কাৰ্যবোৰ ক'ত? ১৬

কাৰণ তুমি আমাৰ পিতৃ; কাৰণ অব্ৰাহামে আমাক নাজানে, আৰু
ইস্ৰায়েলে আমাক স্বীকাৰ নকৰে; হে যিহোৱা, তুমিয়েই আমাৰ পিতৃ;
আৰু পূৰ্বকালৰে পৰা তুমি আমাৰ মুক্তিদাতা, এয়ে তোমাৰ নাম। ১৭
হে যিহোৱা, তুমি তোমাৰ পথৰ পৰা আমাক কিয় অপথে লৈ গৈছা?
আৰু তোমাৰ অবাধ্য হবলৈ আমাৰ মন কিয় কঠিন কৰিছা? তোমাৰ
দাসবোৰৰ, তোমাৰ আধিপত্যৰ জাতিবিলাকৰ কাৰণে উভটি আহাঁ।
১৮ তোমাৰ লোকসকল অলপ সময়হে তোমাৰ পবিত্ৰস্থানৰ আধিপত্য
ভোগ কৰিলে; কিন্তু এতিয়া আমাৰ শত্ৰুবোৰে এইসকলো ভৰিৰে
গচকিলে। ১৯ যিসকলৰ ওপৰত তুমি কেতিয়াও ৰাজত্ব কৰা নাই, আৰু
যিসকল তোমাৰ নামেৰে প্ৰখ্যাত হোৱা নাই, আমি এনে লোকসকলৰ
দৰে হলোঁ।

**৬৪** অহ, তুমি আকাশ-মণ্ডল বিদাৰি নামি আহিলে, পৰ্ব্বতবোৰ
তোমাৰ সাক্ষাতে দ্ৰৱ হৈ গ'লে, কেনে ভাল আছিল। ২ দেশবাসীসকলে
তোমাৰ সাক্ষাতে কঁপিবলৈ তোমাৰ শত্ৰুবোৰৰ আগত তোমাৰ নাম
জনাবলৈ, অগ্নিয়ে জেং খৰি পোৰাৰ দৰে, আৰু জুয়ে পানী উতলোৱাৰ
দৰে তুমি নামি আহিলে, কেনে ভাল আছিল। ৩ আমি আশা নকৰা
ভয়ানক কাৰ্যবোৰ তুমি কৰি নামি আহিলে, আৰু তোমাৰ সাক্ষাতে
পৰ্ব্বতবোৰ দ্ৰৱ হৈ গলে, কেনে ভাল আছিল। ৪ তোমালৈ অপেক্ষা
কৰা জনলৈ কাৰ্য সিদ্ধ কৰোঁতা যি তুমি, তোমাৰ বাহিৰে আন ঈশ্বৰ
আছে বুলি আগৰ কালৰ পৰা মানুহে শুনা নাই বা চকুৰে দেখা নাই। ৫
সৎকাৰ্য্য কৰি আনন্দ কৰা জনক, আৰু তোমাৰ পথ সোঁৱৰণ কৰি চলা
জনক সহায় কৰিবলৈ তুমি আহিলা। আমি যেতিয়া পাপ কৰিছিলোঁ,
তুমি ক্ৰোধিত হৈছিলা, তোমাৰ পথত আমি সকলো সময়তে উদ্ধাৰ হ'ব
পাৰিম। ৬ কিয়নো আমি সকলোৱেই অশুচি লোকৰ সদৃশ হলোঁ, আৰু
আমাৰ সকলো ধাৰ্মিকতা চুৰা কাপোৰৰ দৰে হল; আমি সকলোৱে
পাতৰ দৰে জয় পৰিছোঁ, আৰু আমাৰ অপৰাধবোৰে বতাহৰ দৰে
আমাক উড়ুৱাই লৈ গৈছে। ৭ তোমাৰ নামেৰে প্ৰাৰ্থনা কৰা কোনো
এজন নাই; কোনেও তোমাত আশ্ৰয় ল'বলৈ ইচ্ছা কৰা নাই; কিয়নো
তুমি আমাৰ পৰা মুখ লুকুৱাই ৰাখিছা, আৰু আমাৰ অপৰাধৰ প্ৰতাপত

আমাক গলি যাবলৈ দিছা। ৮ কিন্তু এতিয়াও, হে যিহোৱা, তুমি আমাৰ
পিতৃ; আমি মাটি, তুমি আমাৰ কুমাৰ; আৰু আমি সকলোৱেই তোমাৰ
হাতৰ কাৰ্য। ৯ হে যিহোৱা, তুমি অত্যন্ত ক্ৰোধিত নহ'বা, বা আমাৰ
অপৰাধবোৰ আমাৰ বিৰুদ্ধে সদায় সোঁৱৰণ কৰি নাথাকিবা; অনুগ্ৰহ
কৰি তোমাৰ লোক, আমাক সকলোলৈ দৃষ্টি কৰ। ১০ তোমাৰ পবিত্ৰ
নগৰবোৰ অৰণ্য হৈ পৰিছে; চিয়োন অৰণ্য হৈ গ'ল; যিৰূচালেম
ধ্বংসস্থান হ'ল। ১১ আমাৰ পূৰ্বপুৰুষসকলে তোমাৰ প্ৰশংসা কৰা,
আমাৰ সেই পবিত্ৰ সুন্দৰ মন্দিৰ অগ্নিৰে দগ্ধ হ'ল; আৰু আমাৰ
মনমোহা সকলো ঠাই উচ্ছন্ন হ'ল। ১২ হে যিহোৱা; এতিয়াও তুমি
কেনেকৈ আঁতৰি থাকিবা? কেনেকৈ তুমি মনে মনে থাকি, আমাক
অত্যন্ত দুখ দিবা?

**৬৫** যি সকলে মোক নুশুধিলে, মই তেওঁলোকৰ দ্বাৰাই অম্বেষিত
কৰাবলৈ প্ৰস্তুত আছিলোঁ; আৰু যি সকলে মোক নিবিচাৰিলে,
তেওঁলোকৰ দ্বাৰাই মোক বিচৰাবলৈ মই প্ৰস্তুত আছিলোঁ; মোৰ
নামেৰে প্ৰখ্যাত নোহোৱা দেশবাসীসকলক "এইয়া চোৱা, মই আছোঁ,
মই আছোঁ, এই বুলি মই কলোঁ। ২ যি সকলে নিজৰ কল্পনামতে
কুপথত চলে, আৰু যি ভাল নহয় তেনে পথত চলে, এনে বিদ্ৰোহী
লোকসকলকৰ আগত ওৰে দিনটো মই মোৰ হাত মেলিলোঁ। ৩ বাৰীত
বলিদান দিলে, আৰু ইটাৰ ওপৰত ধূপ জ্বলালে, এওঁলোকেই সেই
লোক যি সদায় মোক অসন্তুষ্ট কৰিলে। ৪ তেওঁলোক মৈদামবোৰৰ
মাজত বহে, আৰু গোটেই ৰাতি পহৰা দিয়ে, গাহৰি মাংস খায়, আৰু
নিজৰ পাত্ৰত ঘিণলগীয়া মাংসৰ জোল ৰাখে, ৫ তেওঁলোকে কয়,
'দূৰত থিয় থাকা; মোৰ ওচৰলৈ নাহিবা, কিয়নো মই তোমাতকৈ
পবিত্ৰ,' তেওঁলোক মোৰ নাকত ধোঁৱাই, আৰু ওৰে দিনটো জ্বলি থকা
অগ্নিস্বৰূপ। ৬ চোৱা, মোৰ আগত এয়ে লিখা আছে, মই মনে মনে
নাথাকিম, কাৰণ মই প্ৰতিফল দিম; মই তেওঁলোকৰ কাৰ্য অনুসাৰে
তেওঁলোকক প্ৰতিফল দিম। ৭ যিহোৱাই কৈছে, মই একেবাৰে
তোমালোকৰ নিজৰ নিজৰ অপৰাধৰ পৰ্ব্বতবোৰত ধূপ জলোৱা আৰু
উপ-পৰ্ব্বতবোৰত মোক নিন্দা কৰা, তোমালোকৰ অপৰাধ আৰু

তোমালোকৰ পূৰ্বপুৰুষসকলৰো অপৰাধৰ প্ৰতিফল তোমালোকক
দিম, আৰু মই প্ৰথমে তেওঁলোকৰ অতীতৰ কাৰ্য জুখি তেওঁলোকৰ
বুকুত প্ৰতিফল দিম। ৮ যিহোৱাই এই কথা কৈছে, “যেনেকৈ দ্ৰাক্ষাৰ
থোকত ৰস পোৱা যায়, আৰু যেতিয়া কোনো এজনে কয়, তাক নষ্ট
নকৰিবা, কিয়নো তাত ভাল আছে, সেই দৰে, মই মোৰ দাসবোৰৰ
বাবেও তেনে কৰিম, মই সকলোকে নষ্ট নকৰিম। ৯ মই যাকোবৰ
বংশৰ পৰা, আৰু যিহূদাৰ পৰা মোৰ পৰ্ব্বতবোৰৰ এক অধিকাৰী
উৎপন্ন কৰিম; আৰু মোৰ মনোনীত লোকসকলে তাত অধিকাৰ
কৰিব, আৰু মোৰ দাসবোৰে তাত বসতি কৰিব। ১০ মোক বিচাৰা
মোৰ লোকসকলৰ বাবে, চাৰোণ মেৰ-ছাগৰ জাকৰ চৰণীয়া ঠাই
হ’ব, আৰু আখোৰ উপত্যকা গৰুৰ জাকবোৰৰ শোৱা ঠাই হ’ব।
১১ কিন্তু যিহোৱাক ত্যাগ কৰা, আৰু মোৰ পবিত্ৰ পৰ্ব্বতক পাহৰা,
ভাগ্যদেৱতালৈ মেজ সজোৱা, ভাগ্য নিৰূপণ দেৱীলৈ দ্ৰাক্ষাৰসেৰে
পানপাত্ৰ পূৰ কৰা যি তোমালোক, ১২ তোমালোকক তৰোৱালৰ বাবে
মই নিৰূপণ কৰিম, আৰু তোমালোকে বলি হ’বলৈ মূৰ দোঁৱাবা। কাৰণ
মই যেতিয়া মাতিলো তোমালোকে উত্তৰ নিদিলা, আৰু মই যেতিয়া
কলোঁ, তোমালোকে নুশুনিলা; কিন্তু মোৰ দৃষ্টিত যি বেয়া, তাকেই
তোমালোকে কৰিলা, আৰু যিহতে মোৰ সন্তোষ নাপাওঁ, তাকেই
কৰিবলৈ তোমালোকে বাচি ল’লা। ১৩ প্ৰভু যিহোৱাই এই কথা কৈছে,
“চোৱা, মোৰ দাসবোৰে ভোজন কৰিব, কিন্তু তোমালোক ভোকত
থাকিবা; চোৱা, মোৰ দাসবোৰে পান কৰিব, কিন্তু তোমালোক পিয়াহত
থাকিবা; চোৱা, মোৰ দাসবোৰে আনন্দ কৰিব, কিন্তু তোমালোকে
লাজ পাবা; ১৪ চোৱা, মোৰ দাসবোৰে মনৰ আনন্দ গান কৰিব,
কিন্তু তোমালোকে মনৰ দুখত কাতৰোক্তি কৰিবা, আৰু মন ভগ্ন
হোৱাৰ কাৰণে হাহাকাৰ কৰিবা। ১৫ মোৰ মনোনীত লোকসকলৰ
বাবে শাও দিবলৈ তোমালোকে তোমালোকৰ নাম থৈ যাবা, আৰু
মই, প্ৰভু যিহোৱাই তোমাক মৃত্যু দিম, আৰু নিজ দাসবোৰ আন
নামেৰে মাতিব। ১৬ যি মানুহে পৃথিবীত নিজকে আশীৰ্ব্বাদিত বুলি
কয়, তেওঁলোক মোৰ দ্বাৰাই আশীৰ্বাদিত হ’ব। আৰু যি মানুহে

পৃথিবীত শপত খায়, তেওঁ সত্য ঈশ্বৰৰ নামেৰেহে শপত খাব; কিয়নো
পূৰ্বকালৰ সকলো সঙ্কট পাহৰা হ'ল, আৰু মোৰ দৃষ্টিৰ পৰা সেইবোৰ
লুকাল। ১৭ কিয়নো চোৱা, মই নতুন আকাশ-মণ্ডল আৰু নতুন পৃথিৱী
সৃষ্টি কৰোঁ; আৰু পূৰ্বকালৰ বস্তুবোৰ সোঁৱৰণ কৰা বা মনত ৰখা নহ'ব।
১৮ কিন্তু মই যি সৃষ্টি কৰোঁ, তাত তোমালোকে অনন্ত কাল আনন্দ
আৰু উল্লাস কৰা; কিয়নো চোৱা, মই যিৰূচালেমক উল্লাসৰ বিষয়,
আৰু তাৰ লোকসকলক আনন্দৰ বিষয় কৰি সৃষ্টি কৰোঁ। ১৯ মই
যিৰূচালেমত উল্লাস, আৰু মোৰ লোকসকলত আনন্দ কৰিম, তাত
ক্ৰন্দনৰ শব্দ কি কাতৰোক্তিৰ শব্দ আৰু শুনা নাযাব। ২০ সেই ঠাইৰ
পৰা কোনো অলপদিনীয়া কেঁচুৱা, বা সম্পূৰ্ণ আয়ুস নোপোৱা কোনো
বুঢ়া লোকক মৈদামলৈ নিয়া নহ'ব; ডেকা লোক এশ বছৰ বয়সীয়া হৈ
মৰিব, আৰু পাপী জনে এশ বছৰ বয়স পাই অভিশপ্ত হৈ মৰিব। ২১
তেওঁলোকে ঘৰ সাজি তাৰ ভিতৰত বাস কৰিব, আৰু দ্ৰাক্ষাবাৰী পাতি
তাৰ ফল ভোগ কৰিব। ২২ আন লোক বাস কৰিবলৈ তেওঁলোকে ঘৰ
নাসাজিব, আৰু আন লোক ভোগ কৰিবলৈ তেওঁলোকে বাৰী নাপাতিব;
কিয়নো গছৰ আয়ুস যিমান, মোৰ লোকসকলৰো আয়ুস সিমান হ'ব,
আৰু মোৰ মনোনীত লোকসকলে নিজৰ হাতেৰে কৰা কাৰ্যৰ ফল
বহুকাললৈকে ভোগ কৰিব। ২৩ তেওঁলোকে বৃথা পৰিশ্ৰম নকৰিব,
আৰু আপদৰ বাবে সন্তান প্ৰসৱ নকৰিব; কিয়নো তেওঁলোক আৰু
তেওঁলোকৰ সন্তান যিহোৱাৰ পৰা আশীৰ্ব্বাদ পোৱাসকলৰ বংশ। ২৪
তেওঁলোকে নামাতোঁতেই মই উত্তৰ দিম, আৰু তেওঁলোকৰ কথা কয়
শেষ নকৰোঁতেই মই শুনিম। ২৫ ৰাংকুকুৰ আৰু মেৰ-ছাগ পোৱালি
একে ঠাইতে চৰিব, সিংহই গৰুৰ দৰে খেৰ খাব, আৰু ধূলিয়েই সৰ্পৰ
আহাৰ হ'ব। যিহোৱাই কৈছে, মোৰ সমস্ত পৰ্ব্বতত কোনেও কাকো
অপকাৰ কি বিনষ্ট নকৰিব।

**৬৬** যিহোৱাই এই কথা কৈছে, "স্বৰ্গ মোৰ সিংহাসন, আৰু পৃথিৱী
মোৰ ভৰিৰ পীৰা; তোমালোকে মোৰ অৰ্থে কেনেকুৱা গৃহ নিৰ্ম্মাণ
কৰিবা? মই বিশ্ৰাম ল'ব পৰা স্থান ক'ত? ২ মোৰ হাতে সকলো
নিৰ্ম্মাণ কৰিলে, সেই বাবেই এই সকলো হ'ল, ইয়াক যিহোৱাই

কৈছে; দুখীয়া, ভগ্ন-চিত্তীয়া, আৰু মোৰ বাক্যত কঁপা জনলৈহে মই
অনুমতি দিম। ৩ যি জনে গৰু বধ কৰে, তেওঁ মানুহ বধ কৰাৰ
দৰে; আৰু যি জনে মেৰ-ছাগ পোৱালি বলিদান কৰে, তেওঁ কুকুৰৰ
ডিঙি ভঙাৰ দৰে; যি জনে শস্য উৎসর্গ কৰে, তেওঁ গাহৰি পোৱালিৰ
তেজ উৎসর্গ কৰাৰ দৰে আৰু যি জনে স্মৃতিচিহ্ন ধূপ জ্বলায়, তেওঁ
দুষ্টতাক আশীর্ব্বাদ কৰাৰ দৰে; তেওঁলোকে নিজৰ পথ বাচি ল’লে,
আৰু তেওঁলোকে নিজৰ ঘিণলগীয়া কর্মত সন্তোষ পায়। ৪ সেই
একে দৰে, মই তেওঁলোকৰ দণ্ড মনোনীত কৰিম, আৰু তেওঁলোকে
যিহকে ভয় কৰে, তাকেই তেওঁলোকলৈ ঘটাম; কাৰণ মই যেতিয়া
মাতিলোঁ, তেওঁলোক কোনেও উত্তৰ নিদিলে, আৰু মই যেতিয়া কলোঁ,
তেওঁলোকে নুশুনিলে; মোৰ দৃষ্টিত যি বেয়া, তাকেই তেওঁলোকে
কৰিলে, আৰু যিহত মোৰ সন্তোষ নাই, তাকেই তেওঁলোকে বাচি ল’লে।
৫ যিহোৱাৰ বাক্যত কম্পমান হোৱা যি তোমালোক, তোমালোক
তেওঁৰ বাক্য শুনা; তোমালোকৰ যি ভাইসকল তোমালোকক ঘিণ
কৰে, আৰু মোৰ নামৰ অর্থে তোমালোকক বহিষ্কৃত কৰে, তেওঁলোকে
কয়, ‘যিহোৱা মহিমান্বিত হওক, তেতিয়া আমি তোমালোকৰ আনন্দ
দেখিবলৈ পাম; কিন্তু তেওঁলোক লজ্জিত হ’ব। ৬ নগৰৰ পৰা যুদ্ধৰ
আলোড়নৰ শব্দ, মন্দিৰৰ পৰা শব্দ, আৰু তেওঁৰ শত্ৰুবোৰক প্রতিফল
দিয়া যিহোৱাৰ ধ্বনি শুনা গৈছে। ৭ বেদনা হোৱাৰ আগতে তেওঁ প্রসৱ
কৰিলে, গর্ভবেদনা নোহোৱাৰ পূর্বেই তেওঁ এটি পুত্র জন্ম দিলে; ৮
এনে কথা কোনোৱে শুনিছে নে? বা এনে কর্ম কোনোৱে দেখিছে নে?
একে দিনাই জানো কোনো দেশ উৎপন্ন হয়? বা কোনো জাতি জানো
এক মুহূর্ততে স্থাপন হ’ব পাৰে? চিয়োনে গর্ভবেদনা পোৱামাত্রকে
নিজৰ সন্তান সকলক প্রসৱ কৰিলে। ৯ যিহোৱাই সুধিছে, মই প্রসৱৰ
সময়লৈকে আনি জানো সন্তান প্রসৱ নকৰাম? তোমাৰ ঈশ্বৰে সুধিছে,
“প্রসৱ কৰাওঁতা যি মই, মই জানো গর্ভ বন্ধ কৰিম?” ১০ তেওঁক
প্রেম কৰা সকলোৱে, যিৰূচালেমৰ সৈতে আনন্দ কৰা আৰু তেওঁৰ
বাবে সন্তুষ্ট হোৱা, তেওঁত শোক কৰা সকলোৱে, তেওঁৰ সৈতে আনন্দ
কৰা, ১১ কাৰণ তোমালোক শুশ্রূসা কৰিবা, আৰু সন্তুষ্ট হ’বা; তেওঁৰ

স্তনে তোমালোকক সান্ত্বনা দিব; কাৰণ তুমি সেইবোৰ পান কৰি তৃপ্ত
হ'বা আৰু তেওঁৰ অজস্ৰ গৌৰৱৰ সৈতে আনন্দিত হ'বা, ১২ কিয়নো
যিহোৱাই এই কথা কৈছে, "চোৱা, মই নদীৰ দৰে তেওঁৰ ওপৰত
উন্নতি বিস্তাৰ কৰিম, সীমা বাগৰি যোৱা সোঁতৰ দৰে জাতিবিলাকৰ
ঐশ্বৰ্য্য বঢ়াম; তোমালোকে তেওঁৰ ফালে চুপিবলৈ পাবা; তোমালোকক
কোলাত লৈ নিয়া যাব, আৰু আঁঠুৰ ওপৰত নচোৱা হ'ব। ১৩ যিদৰে
মাতৃয়ে নিজৰ সন্তানক সুখ দিয়ে, সেইদৰে মই তোমালোকক সুখ
দিম; আৰু তোমালোকে যিৰূচালেমত সুখ পাবা। ১৪ এই সকলো
দেখি তোমালোকৰ হৃদয় আনন্দ কৰিব, আৰু তোমালোকৰ অস্থিবোৰ
নতুন তৃণৰ দৰে সতেজ হ'ব; আৰু যিহোৱাৰ হাত তেওঁৰ দাসবোৰৰ
আগত পৰিচিত হ'ব, কিন্তু শক্ৰবোৰৰ বিৰুদ্ধে তেওঁৰ ক্ৰোধ হ'ব।
১৫ কিয়নো চোৱা, যিহোৱা জুইৰ সৈতে আহিছে, আৰু তেওঁৰ ৰথ
ধুমুহাৰ দৰে আহিছে, তেওঁৰ ক্ৰোধৰ তাপ আনিছে আৰু অগ্নিশিখাৰ
সৈতে তিৰস্কাৰ কৰিব। ১৬ কাৰণ যিহোৱাই অগ্নিৰে আৰু নিজৰ
তৰোৱালৰ দ্বাৰাই সকলো মৰ্ত্ত্যলোকৰ বিচাৰ নিষ্পত্তি কৰিব; আৰু
যিহোৱাৰ দ্বাৰাই হত হোৱা লোক অনেক হ'ব। ১৭ যিহোৱাই এই
কথা কৈছে, "যি সকলে মূৰ্তি পূজাত গাহৰিৰ মাংস, বা ঘিণলগীয়া বস্তু
যেনে এন্দুৰ খায়, আৰু উদ্যানলৈ যাবৰ অৰ্থে তেওঁলোকে নিজকে
পবিত্ৰ আৰু শুচি কৰে, তেওঁলোক একেবাৰে বিনষ্ট হ'ব। ১৮ কাৰণ
মই তেওঁলোকৰ কাৰ্য আৰু কল্পনাবোৰ জানো। যি সময়ত সকলো
জাতিক; আৰু সকলো ভাষা কোৱা লোকসকলক মই গোট খুৱাম,
এনে সময় আহিছে। তেওঁলোকে আহিব আৰু মোৰ প্ৰতাপ দেখিবলৈ
পাব। ১৯ মই তেওঁলোকৰ মাজত এক মহৎ চিন স্থাপন কৰিম। তাৰ
পাছত মই তেওঁলোকৰ মাজৰ পৰা ৰক্ষা পোৱাসকলক জাতিবিলাকলৈ
পঠাম: মোৰ কীৰ্ত্তি নুশুনা, বা মোৰ প্ৰতাপ নেদেখা তৰ্চীচ, পুল,
আৰু ধনুৰ্দ্ধৰ লুদ, তুবল, যাবন এই জাতিবিলাকলৈ, আৰু দূৰত
থকা দ্বীপনিবাসীসকলৰ ওচৰলৈ পঠাম। তেওঁলোকে জাতিবিলাকৰ
মাজত মোৰ প্ৰতাপ প্ৰচাৰ কৰিব।" ২০ তেওঁলোকে সকলো জাতিৰ
মাজৰ পৰা তোমালোকৰ সকলো ভাইক ঘূৰাই আনিব। তেওঁলোক

ঘোঁৰাত, ৰথত, মালগাড়ীত, খছৰত, আৰু উটত তুলি, মোৰ পবিত্র
পৰ্ব্বত যিৰূচালেমলৈ যিহোৱাৰ উদ্দেশ্যে উপহাৰস্বৰূপে আনিব,”
ইয়াকে যিহোৱাই কৈছে। ইস্ৰায়েলী লোকসকলৰ বাবে যিহোৱাৰ
গৃহত পৰিষ্কাৰ পাত্ৰত শস্য উৎসৰ্গ কৰিবলৈ আনিব। ২১ যিহোৱাই
কৈছে, “এনে কি, মই তেওঁলোকৰ মাজৰ পৰা কিছুমান লোকক
পুৰোহিত আৰু লেবীয়া হ’বলৈ মনোনীত কৰিম।” ২২ “কাৰণ মই যি
নতুন আকাশ-মণ্ডল আৰু নতুন পৃথিৱী সৃষ্টি কৰিম, সেয়ে যেনেকৈ
মোৰ সন্মুখত সদায় থাকিব, যিহোৱাই কৈছে, তেনেকৈ তোমালোকৰ
বংশ, আৰু তোমালোকৰ নামো সদায় থাকিব।” ২৩ যিহোৱাই কৈছে,
“প্ৰত্যেক মাহত আৰু প্ৰত্যেক বিশ্ৰামবাৰত সকলো লোক মোৰ আগত
প্ৰণিপাত কৰিবলৈ আহিব।” ২৪ তেওঁলোকে বাহিৰলৈ যাব আৰু মোৰ
বিৰুদ্ধে বিদ্ৰোহাচৰণ কৰাসকলৰ মৃত দেহ দেখিব; কাৰণ তেওঁলোকক
পোক খাব কিন্তু নমৰিব, আৰু তেওঁলোকক অগ্নিয়ে গ্ৰাস কৰিব কিন্তু
নুনুমাব, আৰু তেওঁলোক সকলো মৰ্ত্ত্যৰ আগত ঘৃণনীয় হ’ব।”

# যেৰেমিয়া

**১** এয়েই আছিল হিল্কিয়াৰ পুত্ৰ যিৰিমিয়াৰ বাক্য, যিজনে এই পুস্তক
লিখিছিল। তেওঁ বিন্যামীন ফৈদৰ প্ৰদেশত থকা অনাথোৎ নিবাসীৰ
এজন পুৰোহিত আছিল। ২ যিহূদা দেশৰ ৰজা আমোনৰ পুত্ৰ যোচিয়াৰ
ৰাজত্ব কালৰ ত্ৰয়োদশ বছৰ ধৰি যিহোৱাই তেওঁৰ এই বাক্যবোৰ
যিৰিমিয়ালৈ দিবলৈ আৰম্ভ কৰিছিল। ৩ যোচিয়াৰ পুত্ৰ যিহূদাৰ
যিহোয়াকীম ৰজাৰ শাসন কালত আৰু যোচিয়াৰ পুত্ৰ যিহূদাৰ চিদিকিয়া
ৰজাৰ ৰাজত্ব কালৰ একাদশ বছৰৰ শেষলৈকে, তেওঁৰ ওচৰলৈ
যিহোৱাৰ বাক্য আহি আছিল। এয়েই বছৰৰ পঞ্চম মাহ আছিল
যেতিয়া যিৰূচালেমৰ লোকসকলক বাবিলনলৈ দেশান্তৰ কৰি নিয়া
হৈছিল। ৪ এদিনাখন যিহোৱাই এই বাক্য মোলৈ দিছিল: ৫ বোলে,
“তোমাৰ মাতৃৰ গৰ্ভত তোমাক নিৰ্ম্মাণ কৰাৰ আগতে মই তোমাক
জানিলোঁ। আৰু তুমি গৰ্ভৰ পৰা বাহিৰ হোৱা আগতে মোৰ গৌৰৱৰ
অৰ্থেই মই তোমাক পৃথক কৰিলোঁ; আৰু মই তোমাক মোৰ ভাববাদী
হবলৈ নিযুক্ত কৰিলোঁ গোটেই জাতিবোৰৰ বাবে।” ৬ তেতিয়া মই
ক’লোঁ, “হায় হায় মোৰ প্ৰভু যিহোৱা, আপুনি বুজা নাই নে, যে
আপোনাৰ কাৰণে কথা কবলৈ মই যোগ্য নহওঁ? কিয়নো মই নিচেই
ডেকা!” ৭ যিহোৱাই উত্তৰ দি ক’লে, “তুমি এনে কথা নকবা, কিয়নো,
মই তোমাক যিসকলৰ ওচৰলৈ পঠিয়াম, তেওঁলোকৰ প্ৰত্যেকজনৰ
গুৰিলৈ তুমি যাবই লাগিব, আৰু তোমাক যি যি আজ্ঞা কৰিম, সেই
সকলোকে তুমি তেওঁলোকক কবই লাগিব। ৮ তুমি যিসকলক কথা
ক’বা, তেওঁলোকলৈ ভয় নকৰিবা, কিয়নো তেওঁলোকৰ দ্বাৰাই অনিষ্ট
হোৱাৰ পৰা মই তোমাক সুৰক্ষা দিম। আৰু এইয়া নিশ্চয়কে ঘটিব,
কিয়নো মই যিহোৱাই ইয়াকে ক’লো। ৯ তেতিয়া যিহোৱাই নিজ হাত
মেলি মোৰ মুখ স্পৰ্শ কৰিলে আৰু মোক ক’লে, চোৱা, মই মোৰ বাক্য
তোমাৰ মুখত দিলোঁ; ১০ চোৱা, উঘালিবলৈ আৰু ভাঙিবলৈ, বিনষ্ট
কৰিবলৈ আৰু উৎপাত কৰিবলৈ, সাজিবলৈ আৰু ৰুবলৈ, জাতিবোৰৰ
আৰু ৰজাসকলৰ ওপৰত মই আজি তোমাক নিযুক্ত কৰিলোঁ। ১১
তেতিয়া যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, বোলে, “হে যিৰিমিয়া,

তুমি কি দেখিছা?” তাতে মই ক’লোঁ, “বাদাম গছৰ এডাল ডাল
দেখিছোঁ।” ১২ যিহোৱাই ক’লে, “ঠিকেই দেখিছা। কিয়নো ‘বাদাম’
শব্দটো ‘সজাগতা’ শব্দটোৰ লগত মিল আছে, অৰ্থাৎ যি ঘটিবলৈ আছে
মই তালৈ সজাগ হৈ আছোঁ, আৰু জাতিবোৰ ধ্বংশ হোৱাৰ বাবে মোৰ
বাক্য সিদ্ধ কৰিবলৈ সজাগে আছোঁ।” ১৩ তেতিয়া পুনৰ যিহোৱাৰ
বাক্য মোৰ ওচৰলৈ আহিল, বোলে, “এতিয়া তুমি কি দেখিছা?” মই
উত্তৰ দি ক’লোঁ, “মই এটা ঘূৰণীয়া পাত্ৰ দেখিছোঁ য’ত উতলি থকা
পানীৰে পৰিপূৰ্ণ হৈ আছে। দক্ষিণ ফালৰ পৰা তাৰ মুখ ফালে কাতি হৈ
আছে।” ১৪ যিহোৱাই উত্তৰ দি ক’লে, “হয়! ইয়াৰ অৰ্থ হ’ল, ঘূৰণীয়া
পাত্ৰৰ পৰা উতলা পানী ঢলাৰ দৰে, উত্তৰ দিশৰ পৰা এই আটায়
দেশ-নিবাসীলৈ অমঙ্গলৰে বিয়পি পৰিব। ১৫ মই কি কৈ আছোঁ,
তাক শুনা: যিহূদাৰ উত্তৰ দিশত থকা ৰাজ্যবোৰৰ পৰা যিৰূচালেমলৈ
আহিবলৈ মাতি পঠিয়াম। তেওঁলোকৰ ৰজাসকলে আহি যিৰূচালেমৰ
দুৱাৰবোৰৰ সোমোৱা ঠাইত আৰু তাৰ চাৰিওফালে থকা গড়বোৰৰ
সন্মূখত, আৰু আটাই নগৰবোৰৰ সন্মূখত নিজ নিজ সিংহাসন স্থাপন
কৰি, এতিয়া তেওঁলোক যিহূদাৰ ৰজা বুলি, নিৰ্দেশ দিব। ১৬ তেতিয়া
মই তেওঁলোকৰ আটাই দুষ্টতাৰ কাৰণে মোৰ লোকসকলৰ বিৰুদ্ধে
মোৰ দণ্ডাজ্ঞা প্ৰচাৰ কৰিম; কিয়নো তেওঁলোকে মোক পৰিত্যাগ কৰি
ইতৰ দেৱতাবোৰৰ আগত ধূপ জ্বলাইছে। আৰু তেওঁলোকে নিজ নিজ
হাতেৰে নিৰ্মান কৰা মূৰ্তিৰ আগত প্ৰণিপাত কৰিছে! ১৭ এই হেতুকে
তুমি কঁকাল বান্ধি কামলৈ বুলি সাজো হোৱা! মই তোমাক যি যি আজ্ঞা
কৰোঁ, সেই সকলোকে যিহূদাৰ লোকসকলক কোৱা। তেওঁলোকৰ
আগত ব্যাকুল নহ’বা, যদি হোৱা, মই তেওঁলোকৰ আগত উদাহৰণ
ৰূপে তোমালৈকো দণ্ডাজ্ঞা দিম! ১৮ কিয়নো শুনা! মই আজি সমুদায়
দেশৰ, যিহূদাৰ ৰজাসকলৰ, ইয়াৰ অধ্যক্ষসকলৰ, পুৰোহিতসকলৰ
আৰু দেশৰ সাধাৰণ লোকসকলৰ বিৰুদ্ধে তোমাক দৃঢ় নগৰ, লোহাৰ
স্তম্ভ আৰু পিতলৰ গড়স্বৰূপ কৰিলোঁ। ১৯ তেওঁলোকে তোমাৰ বিৰুদ্ধে
যুদ্ধ কৰিব, কিন্তু তোমাক ঘটোৱাব নোৱাৰিব, কিয়নো মই তোমাৰ

লগত থাকিম আৰু তোমালোকক উদ্ধাৰ কৰিম। আৰু ই নিশ্চয়কৈ
ঘটিব কিয়নো মই, যিহোৱাই ইয়াকে ক'লো!"

২ যিহোৱাই আৰু এটি বাক্য মোক দিলে, ২ যেন, কাণে শুনাকৈ
যিৰূচালেমৰ প্ৰতিজনলৈ এই কথা প্ৰচাৰ কৰা হয়। আৰু তেওঁ কৈছিল
যে, মই যেন এই কথা তেওঁলোকক কওঁ: "মই, যিহোৱাৰ, অতি পুৰ্বে
তুমি মোক মানি চলা আৰু আমাৰ অংগীকাৰত বিশ্বাস কৰা সেই
সকলো কথা মোৰ মনত আছে। বাগ্দান কৰা কালত কন্যাই দৰাক
কৰাৰ দৰে মোক আনন্দিত কৰিছিলা; তুমি মোক প্ৰেম কৰিছিলা,
আৰু মৰুভূমিৰ মাজেৰে মোৰ পাছে পাছে তুমি গমন কৰিছিলা; ৩
সেই কালত তুমি ইস্ৰায়েল মোলৈ নিলগে আছিলা; শস্যৰ প্ৰথমে পকা
ফলৰ গৰাকি হোৱাৰ দৰে তোমালোক মোৰ আছিলা। যিসকলে মোৰ
লোকসকলক অনিষ্ট কৰিছিল, তেওঁলোকৰ প্ৰতি দণ্ডাজ্ঞা দিবলৈ আৰু
দুৰ্যোগ পঠিয়াবলৈ মই প্ৰতিজ্ঞা কৰিছিলোঁ। মই, যিহোৱাই কৈছিলোঁ
যে, এইবোৰ ঘটিব, ঠিক তেনেদৰেই এইবোৰ অমঙ্গল ঘটিব।" ৪ হে
যাকোবৰ বংশ, হে ইস্ৰায়েলৰ আটাই লোকসকল, ৫ যিহোৱাই কি
কৈছে, সেই বাক্য শুনা: "যিহোৱাই তোমালোকৰ পূৰ্বপুৰুষসকলে কি
অন্যায় পালে, যে, তেওঁলোক মোৰ পৰা আঁতৰ হৈ গৈ, অসাৰৰ পাছত
চলি অসাৰ হল? ৬ তেওঁলোকে নকলে, যে, যি জনাই মিচৰ দেশৰ পৰা
আমাক উলিয়াই আনিছিল, যি জনাই মৰুভূমিৰ মাজেদি, বালুকাময়
আৰু গুহাময় দেশৰ মাজেদি, খৰাং আৰু মৃত্যুচ্ছায়াস্বৰূপ দেশৰ মাজেদি
পথিক নচলা আৰু নিবাসী নথকা দেশৰ মাজেদি আমাক লৈ আহিছিল,
সেই যিহোৱা ক'ত? ৭ মই তোমালোকক এখন উদ্যানময় দেশলৈ,
তাৰ ফল আৰু উত্তম উত্তম বস্তু ভোজন কৰিবলৈ আনিছিলোঁ, কিন্তু
যেতিয়া তোমালোকে সোমালা, তেতিয়া তোমালোকে মোৰ দেশ অশুচি
কৰিলা আৰু মোৰ আধিপত্য ঘিণলগীয়া কৰিলা। ৮ 'এতিয়া যিহোৱা
ক'ত' বুলি তোমালোকৰ পুৰোহিতসকলে নক'লে, আৰু ব্যৱস্থাত
পাৰ্গতলোকে মোক নাজানিলে, আৰু তোমালোককৰ পালকসকলেও
মোৰ বিৰুদ্ধে অধৰ্ম-আচৰণ কৰিলে, আৰু ভাববাদীসকলেও বালৰ
নামেৰে ভাববাণী প্ৰচাৰ কৰিলে আৰু অনুপকাৰী বস্তুৰ পাছত চলিলে।"

৯ এই হেতুকে, যিহোৱাই কৈছে, মই তোমালোকৰ লগত আৰু প্ৰতিবাদ
কৰিম, আৰু তোমালোকৰ পো-নাতিসকলৰ সৈতেও প্ৰতিবাদ কৰিম।
১০ কিয়নো, তোমালোকে কিত্তীম দ্বীপবোৰলৈ পাৰ হৈ গৈ চোৱা, আৰু
কেদৰলৈ মানুহ পঠোৱা, তাত এনেকুৱা কথা কৈছে নে নাই তাক
চোৱা ভালকৈ বিবেচনা কৰা, তেওঁলোকৰ দেশৰ কোনো লোকে এনে
কাম কৰা নাই, যিবিলাক তোমালোকৰ লোকসকলে কৰিলে! ১১
যিবোৰ ঈশ্বৰ নহয়, এনে দেৱতাবোৰক কোনো এক জাতিয়ে জানো
সলনি কৰিছিল? কিন্তু মোৰ প্ৰজাসকলে উপকাৰ নকৰা বস্তুৰ লগত
নিজৰ গৌৰৱ সলনি কৰিলে। ১২ যিহোৱাই কৈছে, হে আকাশ-মণ্ডল,
ইয়াত বিস্ময় মানা, ভয়ত নোম শিয়ৰোৱা, অতিশয় তধা লগা। ১৩
কিয়নো মোৰ প্ৰজাসকলে দুটা দোষ কৰিলে; তেওঁলোকে জীৱন্ত
জলৰ ভুমুকস্বৰূপ মোক ত্যাগ কৰিলে, আৰু তেওঁলোকে নিজৰ কাৰণে
জলাধাৰ, পানী ৰাখিব নোৱাৰা ভগা জলাধাৰ খানিলে। ১৪ ইস্ৰায়েল
জানো বন্দী? বা তেওঁলোক জানো ঘৰ-ওপজা বন্দী? ১৫ তেন্তে
তেওঁলোকে কিয় লুটদ্ৰব্য হৈছে? ডেকা সিংহবোৰে তাৰ ওপৰত
গৰ্জ্জিছে, গৰ্জ্জন কৰিছে; সিহঁতে তাৰ দেশ উচ্ছন্ন কৰিলে। তাৰ
নগৰবোৰ দগ্ধ হৈ নিবাসীহীন হৈছে। ১৬ নোফৰ আৰু তহপন্হেচৰ
সন্তান সকলেও তোমালোকৰ মূৰৰ তালু টকলা কৰিলে। ১৭ তোমাৰ
ঈশ্বৰে তোমাক পথেদি লৈ যোৱা সময়ত তোমাৰ ঈশ্বৰ যিহোৱাক
তুমি পৰিত্যাগ কৰাত, তুমি জানো নিজে নিজক ইয়াক ঘটোৱা নাই?
১৮ আৰু এতিয়া চীহোৰৰ জল পান কৰিবলৈ মিচৰৰ বাটত তোমাৰ
কি কাম আছে? আৰু ফৰাৎ নদীৰ জল পান কৰিবলৈ অচুৰৰ বাটত
তোমাৰ কি কাম আছে? ১৯ তোমাৰ নিজ দুষ্টতাই তোমাক শাস্তি দিব,
আৰু তোমাৰ অপথে যোৱাই তোমাক ধমকি দিব। এই হেতুকে তুমি
ঈশ্বৰ যিহোৱাক ত্যাগ কৰা আৰু অন্তৰত মোৰ ভয় নৰখা যে বেয়া
আৰু তিতা, ইয়াক জ্ঞাত হৈ বুজা, এয়ে প্ৰভু বাহিনীসকলৰ যিহোৱাৰ
বচন। ২০ কিয়নো বহুকাল হ'ল, তুমি তোমাৰ যুৱলি ভাঙিলা; আৰু
যোঁত-জৰী চিঙি ক'লা, "মই পৰাধীন নহম," কাৰণ তুমি প্ৰত্যেক
ওখ পৰ্ব্বতত, আৰু কেঁচাপতীয়া গছৰ তলত মূৰ দোৱাই বেশ্যাকৰ্ম

কৰিলা। ২১ তথাপি মই তোমাক উত্তম দ্ৰাক্ষালতা বুলি, সকলোভাৱে
প্ৰকৃত গুটি বুলি ৰুইছিলোঁ; তেন্তে তুমি কেনেকৈ মোৰ গুৰিত বিজাতীয়
দ্ৰাক্ষালতাৰ নৰম ডালত পৰিবৰ্ত্তন হলা? ২২ কিয়নো যদিও খাৰেৰে
নিজৰ গা ধোৱা, আৰু অনেক চাবোন লগোৱা, তথাপি মোৰ দৃষ্টিত
তোমাৰ অপৰাধ দাগস্বৰূপ হৈ থাকিব, এয়েই সত্য, কিয়নো ইয়াক
প্ৰভু যিহোৱাই কৈছে। ২৩ তুমি কেনেকৈ কব পৰা, যে, মই অশুচি
নহওঁ, বালদেৱতাবোৰৰ পাছত চলা নাই? উপত্যকাত কৰা তোমাৰ
আচাৰ-ব্যৱহাৰ চোৱা, তুমি কি কৰিলা, তাক জ্ঞাত হোৱা; তুমি তোমাৰ
পথত পকোৱা-পকিকৈ ভ্ৰমি ফুৰোঁতা এজনী বেগীউটৰ নিচিনা। ২৪
তুমি নিজ অভিলাষত বায়ু সুঙি ফুৰা অৰণ্যত অভ্যাস হোৱা এজনী
বনৰীয়া গাধৰ নিচিনা; তাই কামাতুৰ হোৱা সময়ত কোনে তাইক
ওলোটাব পাৰে? তাইলৈ অভিলাষ কৰি বিচৰাবোৰে ভাগৰ নাপাব,
তাইৰ নিয়মিত মাহত তাইক পাব। ২৫ তুমি তোমাৰ ভৰি পইজাৰ
নোহোৱা হবলৈ, আৰু ডিঙিৰ নলী শুকান হবলৈ নিদিবা। কিন্তু তুমি
কৈছা, “ইয়াত আশা নাই, সমূলি নাই; কিয়নো মই বিদেশীসকলক
প্ৰেম কৰোঁ, তেওঁলোকৰেই পাছত চলিম!” ২৬ চোৰ ধৰা পৰিলে
যেনেকৈ সি লাজত পৰে, তেনেকৈ ইস্ৰায়েল বংশই লাজ পাইছে।
তেওঁলোক, তেওঁলোকৰ ৰজা, অধ্যক্ষ, পুৰোহিত আৰু ভাববাদীসকলে
লাজ পাইছে। ২৭ তেওঁবিলাক প্ৰতিজনে এডোখৰ কাঠক, ‘তুমি মোৰ
পিতৃ!’ এইবুলি, আৰু এটা শিলক, তুমি মোক উৎপন্ন কৰিলা ‘তুমি
মোৰ মাতৃ!’ এইবুলি কয়; কিয়নো তেওঁলোকে মোৰ ফালে মূৰ নকৰি
পিঠিহে দিলে; কিন্তু আপদৰ দিনত তেওঁলোকে কব, তুমি উঠি আমাক
উদ্ধাৰ কৰা! ২৮ তুমি নিজৰ কাৰণে যি দেৱতাবোৰ সাজিলা, তোমাৰ
সেই দেৱতাবোৰ ক’ত? সেইবোৰেই উঠি, যদি পাৰে, তেন্তে আপদৰ
সময়ত তোমাক নিস্তাৰ কৰক; কিয়নো হে যিহূদা, তোমাৰ যিমান
নগৰ, সিমান তোমাৰ দেৱতা আছে। ২৯ যিহোৱাই কৈছে, তোমালোকে
কিয় মোৰ লগত প্ৰতিবাদ কৰিছা? তোমালোক সকলোৱেই মোলৈ
বিদ্ৰোহ আচৰণ কৰিছা? ৩০ মই তোমালোকৰ সন্তান সকলক বৃথা
প্ৰহাৰ কৰিলোঁ; তেওঁলোকে শাস্তি নুবুজিলে; বৰং তোমালোকৰ নিজৰ

তৰোৱালেই বিনাশক সিংহৰ দৰেই তোমালোকৰ ভাববাদীসকলক
গ্ৰাস কৰিলে। ৩১ তেন্তে হে বৰ্ত্তমান কালৰ লোকসকল, তোমালোকে
যিহোৱাৰ বাক্য আলোচনা কৰা। ইস্ৰায়েলৰ পক্ষে মই জানো অৰণ্য
বা অন্ধকাৰময় দেশস্বৰূপ? তেন্তে মোৰ প্ৰজাসকলে কিয় কয় যে,
আমি মুকলি হ’লো, আমি তোমাৰ ওচৰলৈ আৰু নাযাওঁ?’ ৩২ যুৱতীয়ে
জানো নিজৰ অলঙ্কাৰ বা কন্যাই জানো নিজৰ পিন্ধা সাজ পাহৰিব
পাৰে? কিন্তু মোৰ প্ৰজাসকলে অসংখ্য দিন মোক পাহৰি আছে। ৩৩
তুমি প্ৰেম বিচাৰিবলৈ কেনে সুন্দৰৰূপে নিজ পথ যুগুত কৰিছা। এই
কাৰণে দুষ্ট স্ত্ৰীসকলকো তুমি নিজ পথ শিকালা। ৩৪ তোমাৰ বস্ত্ৰৰ
আঁচলতে নিৰ্দ্দোষী দৰিদ্ৰ প্ৰাণীবোৰৰ তেজ পোৱা গৈছে; মই বৰকৈ
বিচাৰি বিচাৰি যে তাক পালোঁ, এনে নহয়, কিন্তু সেই সকলোৰে
ওপৰত তাক পালোঁ। ৩৫ তথাপি তুমি কৈছা, মই নিৰ্দ্দোষী, অৱশ্যে
মোৰ পৰা তেওঁৰ ক্ৰোধ ঘূৰিল। চোৱা, মই পাপ কৰা নাই, তুমি
এই কথা কোৱাৰ কাৰণে, মই তোমাৰে সৈতে বিচাৰস্থানত সোমাম।
৩৬ তুমি তোমাৰ পথ সলনি কৰিবৰ মনেৰে কিয় ইমানকৈ ভ্ৰমণ
কৰিছা? তুমি অচুৰৰ পৰা যেনেকৈ লাজ পাইছিলা, তেনেকৈ মিচৰৰ
পৰাও লাজ পাবা। ৩৭ অৱশ্যে তাৰ ওচৰৰ পৰাও মূৰত হাত দি গুচি
যাবা; কিয়নো যিহোৱাই তোমাৰ আশ্ৰয়স্থানবোৰ অগ্ৰাহ্য কৰিলে;
সেইবোৰত তোমাৰ কুশল নহব।”

৩ মোচিয়ে এইদৰে লিখিছিল যে, কোনোৱে নিজ স্ত্ৰীক ত্যাগ কৰাৰ
পাছত, সেই স্ত্ৰীয়ে তেওঁৰ স্বামীৰ লগ এৰি, যদি আন পুৰুষৰ সৈতে
বিবাহ হয়, তেতিয়া তাইৰ প্ৰথম স্বামীয়ে পুনৰায় তাইক নিজৰ
পত্নীৰূপে ঘূৰাই নল’ব, যদি যায়, তেন্তে সেই গোটেই দেশ নিচেইকৈ
মোলৈ গ্ৰহণীয় নহ’বলৈ সেয়ে এক কাৰণ হ’ব। কিন্তু তুমি অনেক
প্ৰিয়ই সৈতে বেশ্যাকৰ্ম কৰিলা আৰু সেইবোৰে সৈতে শয়ন কৰিলা!
গতিকে মোৰ ওচৰলৈ যদি তুমি ওলটিও আহাঁ, মই জানো তোমাক
গ্ৰহণ কৰিম?” এইবুলি যিহোৱাই কৈছে। ২ “চকু তুলি গছশূন্য পাহাৰ
টিলাবোৰলৈ চোৱা। তুমি আৰাধ্য কৰা প্ৰতিমাবোৰ প্ৰত্যেক পাহাৰ
টিলাবোৰতেই আছে। তুমি অৰণ্যত থকা আৰবীয়াৰ দৰে মানুবোৰলৈ

বাট চাই ৰাজ-আলিত আক্ৰমণ কৰি লুটপাত কৰিবলৈ বহি থকাৰ
দৰে যেন তেওঁলোক সকলোৰে প্ৰেমিকহে যাৰে সৈতে বেশ্যাকৰ্ম
কৰিলা। কিয়নো প্ৰতিমাবোৰক আৰাধনা কৰি আৰু বেশ্যাকৰ্ম আৰু
কুকৰ্মৰ দ্বাৰাই তুমি দেশখন মোলৈ অগ্ৰহণীয় কৰিলা। ৩ সেইবাবেই
বছৰৰ নিৰূপিত সময়ত হ'ব লগীয়া বৃষ্টি মই আটক কৰিলোঁ, যেতিয়া
তোমালোকে ইয়াৰ প্ৰয়োজন বোধ কৰিছিলা। তথাপি তুমি বেশ্যাৰ
মুখ ধাৰণ কৰি, লজ্জিত হবলৈ অস্বীকাৰ কৰিলা। ৪ তুমি আজিৰ পৰা
মোৰ আগত প্ৰাৰ্থনা কৰি নকবা নে, যে, 'হে মোৰ পিতৃ! তুমি মোৰ
যৌৱনকালৰ পথদৰ্শক! ৫ তুমি জানো চিৰকাললৈকে তোমাৰ ক্ৰোধ
মোৰ ওপৰত ৰাখিবা!' চোৱা, তুমি মন্দ কথা ক'লা, আৰু কুকৰ্মও
কৰি আছা আৰু নিজ ইচ্ছামতে তাক সিদ্ধও কৰি আছা!" ৬ যিহূদাৰ
ৰজা, ৰজা যোচিয়াই ৰাজত্ব কৰি থকা কালত এদিনাখন যিহোৱাই
মোক ক'লে, "বিপথগামিনী ইস্ৰায়েলে যি কৰিলে, তাক তুমি দেখিবলৈ
পালা নে? নিজৰ স্বামীক ত্যাগ কৰি আন লোকৰ সৈতে শয়ন কৰাৰ
দৰে তেওঁলোক মোৰ পৰা বিমুখ হ'ল। তেওঁলোকে প্ৰত্যেক ওখ
পৰ্ব্বতৰ ওপৰত আৰু প্ৰত্যেক কেঁচাপতীয়া গছৰ তলত গৈ, সেই সেই
ঠাইত বেশ্যা কৰ্ম কৰিলে। ৭ মই ভাবিছিলোঁ যে এইবোৰ কাম কৰাৰ
পাছত তেওঁলোক মোৰ ওচৰলৈ উলটি আহিব, গতিকে মই ক'লোঁ,
'মোলৈ ঘূৰি আহাঁ!' কিন্তু তেওঁলোকে উলটি নাহিল। আৰু তেওঁলোকৰ
বিশ্বাস-ঘাতকিনী যিহূদাই তাক দেখিলে। ৮ আৰু মই দেখিলোঁ, যে,
বিপথদগামিনী ইস্ৰায়েলে ব্যভিচাৰ কৰিলে, এই কাৰণে মই পত্নীক
ত্যাগ-পত্ৰ দি এৰি দিয়াৰ দৰে, অন্য দেশলৈ পঠিয়াই দিলোঁ। মই
তেওঁলোকক কি কৰিলোঁ, বিশ্বাস-ঘাতকিনী বায়েক যিহূদাই সেই
সকলো দেখিও ইস্ৰায়েলৰ দৰেই বেশ্যাকৰ্ম কৰিলে। মই তেওঁলোকলৈ
কি কৰিব পাৰোঁ, তালৈ যিহূদাই ভয় নকৰিলে, কিন্তু স্ত্ৰীসকলে নিজৰ
স্বামীক এৰি আন পুৰুষলৈ যোৱাৰ দৰে দেৱ-দেৱীৰ উপাসক হৈ মোৰ
পৰা নিজলে বিমূখ কৰিলে। ৯ তেওঁলোকে বেশ্যাকৰ্ম লঘু জ্ঞান কৰি
তেওঁলোকে শিল আৰু কাঠেৰে সজা দেৱ-দেৱীৰ উপাসক হৈ দেশখন
অশুচি কৰিলে। ১০ ইস্ৰায়েলৰ বিশ্বাস-ঘাতকিনী বায়েক যিহূদাই সম্পূৰ্ণ

মনেৰে সৈতে নহয়, কেৱল কপটভাৱেৰে মোলৈ উলটিল। এয়েই সত্য
হোৱাৰ বাবে মই, যিহোৱাই ইয়াকে ক'লো।"
১১ তেতিয়া যিহোৱাই
মোক ক'লে, "ইস্রায়েলৰ লোকসকলে মোৰ পৰা ঘূৰি গ'ল, কিন্তু
বিশ্বাস-ঘাতকিনী যিহূদাই বিপদ-ঘামিনী ইস্রায়েলতকৈ নিকৃষ্টতৰভাৱে
বিপথে গ'ল।
১২ গতিকে তুমি গৈ ইস্রায়েলৰ লোকসকলক কোৱাগৈ:
'তেওঁৰ পৰা উলটি যোৱা হে ইস্রায়েলৰ লোকসকল, যিহোৱাই এই
কথা তোমালোকক কৈছে: মই তোমালৈ আৰু ক্ৰোধ-দৃষ্টি নকৰিম।
কিয়নো যিহোৱাই কৈছে, মই দয়ালু আৰু মই চিৰকাললৈকে ক্ৰোধ
নাৰাখোঁ। গতিকে তোমালোক মোলৈ উলটি আহাঁ।
১৩ তোমাৰ সেই
দোষ স্বীকাৰ কৰা যে, তুমি তোমাৰ ঈশ্বৰ যিহোৱাৰ বিৰুদ্ধে তুমি
অপৰাধ কৰিলা, আৰু পৰজাতিসকলক বিচাৰি ইফালে সিফালে ফুৰি
প্ৰত্যেক কেঁচাপতিয়া গছৰ তলত তেওঁলোকৰ সৈতে শয়ন কৰিলা
অৰ্থাৎ সেই দেৱ-দেৱীৰ উপাসনা কৰিলা, তোমালোকে মোৰ বাক্য
পালন নকৰি মোৰ পৰা আঁতৰি গ'লা।
১৪ যিহোৱাই কৈছে, হে
বিপদ-ঘামিনী সন্তান সকল, মোলৈ উলটি আহাঁ; কিয়নো ময়েই
তোমালোকৰ স্বামী! তোমালোক উলটি আহিলে, মই এখন নগৰৰ
পৰা এজন আৰু এক গোষ্ঠীৰ পৰা দুজনকৈ লৈ চিয়োনলৈ অৰ্থাৎ
যিৰূচালেমলৈ তোমালোকক আনিম।
১৫ তোমালোকে এইদৰে কৰিলে,
মই তোমালোকক মোৰ মনৰ দৰে এজন ৰখীয়া দিম; তেওঁলোকে
জ্ঞান আৰু বুদ্ধিৰে তোমালোকক চৰাব, কাৰণ তেওঁলোকে মোক সন্তুষ্ট
কৰিবলৈ জানে আৰু বুজে।
১৬ যিহোৱাই কৈছে, সেই দিনত, যেতিয়া
তোমালোক বাঢ়ি বহুপ্ৰজা হ'বা, তেতিয়া, "যিহোৱাৰ নিয়ম চন্দুক"
এই কথা মানুহে আৰু নকব, আৰু সেয়ে মনত নপৰিব, লোকে তাক
সোঁৱৰণ নকৰিব, সেয়ে নোহোৱাত লোকে বেজাৰ নাপাব আৰু তাক
পুনৰায় সজা নাযাব।
১৭ সেই সময়ত লোকসকলে ক'ব, "যিৰূচালেম
যিহোৱাৰ সিংহাসন বুলি প্ৰখ্যাত হব, আৰু সকলো জাতিয়ে তাৰ
ওচৰত যিৰূচালেমত যিহোৱাৰ নামেৰে গোট খাব আৰু তেওঁলোকে
নিজ নিজ দুষ্ট মনৰ কঠিনতা অনুসাৰে আৰু নচলিব।
১৮ সেই কালত
যিহূদা বংশই ইস্রায়েল বংশই সৈতে সমভাবে চলিব, আৰু তেওঁলোক

একে লগে উত্তৰ দেশৰ পৰা ওলাই, তোমালোকৰ পূৰ্বপুৰুষসকলক
আধিপত্যৰ অৰ্থে মই দিয়া দেশলৈ আনিম। ১৯ আৰু ময়েই কৈছিলোঁ,
তোমালোক ইস্রায়েলৰ লোকসকল, মই তোমালোকক গ্ৰহণ কৰিবলৈ
তোমালোক মোৰ সন্তান হোৱা। কাৰণ মই তোমালোকক এক মনোহৰ
দেশ দিম। আন জাতিৰ দেশতকৈ এই দেশ অধিককৈ মনোহৰ! মই
ইচ্ছা কৰিছোঁ যেন তোমালোকে মোক ‘পিতৃ’ বুলি সম্বোধন কৰা,
আৰু মোৰ পাছত চলাৰ পৰা কেতিয়াও উলটি নাযাবা। ২০ কিন্তু
তোমালোকে পত্নীয়ে যেনেকৈ নিজ স্বামীক বিশ্বাস-ঘাতকতা কৰি
এৰে, তেনেকৈ তোমালোকেও স্বৰূপেই মোৰ অহিতে বিশ্বা-ঘাতকতা
কৰিলা। সেইবাবেই যিহোৱাই কৈছে, আৰু মই ইস্রায়েল বংশক এই
কথা ক’লো। ২১ “গছশূন্য পৰ্ব্বতত ইস্রায়েলৰ সন্তান সকলৰ কান্দোন
আৰু কাকুতি-মিনতি শুনা গৈছে; কাৰণ, তেওঁলোক বিপদগামী হৈছিল
আৰু তেওঁলোকে নিজৰ ঈশ্বৰ যিহোৱাক পাহৰি গৈছিল বুলি স্বীকাৰ
কৰিছে। ২২ যিহোৱাই তেওঁলোকক ক’ব, “হে বিপথগামী ইস্রায়েলৰ
সন্তান সকল, মোলৈ উলটি আহাঁ! তেনে কৰিলে মই তোমালোকৰ
বিপথগমনস্বৰূপ ৰোগ সুস্থ কৰিম।” তেতিয়া লোকসকলে উত্তৰ দি
ক’ব, “চোৱা, আমি তোমাৰ ওচৰলৈ আহিছোঁ; কিয়নো তুমিয়েই
আমাৰ ঈশ্বৰ যিহোৱা। ২৩ স্বৰূপেই গিৰিবোৰৰ পৰা আশা কৰা সহায়
আৰু পৰ্ব্বতবোৰৰ ওপৰত দেৱ-দেৱীৰ আগত কৰা কঢ়াল মিছা।
স্বৰূপেই উপলব্ধি কৰিছোঁ যে, আমাৰ ঈশ্বৰ যিহোৱাইহে ইস্রায়েলৰ
পৰিত্ৰাণ! ২৪ কিন্তু সেই লজ্জাজনক বাল দেৱতাই, আমাৰ লৰা কালৰে
পৰা আমাৰ পিতৃসকলৰ শ্ৰমেৰে অৰ্জ্জা সম্পত্তি, তেওঁলোকৰ গৰু, মেৰ
আদি জাক আৰু তেওঁলোকৰ লৰা-ছোৱালী সকলক গ্ৰাস কৰিলে। ২৫
সেয়ে আমি আমাৰ লাজস্বৰূপ বিছনাত শোওঁ আৰু আমাৰ অপমানে
আমাক ঢাকক; কিয়নো আমাৰ পূৰ্বপুৰুষসকলে, আৰু আমিও লৰা
কালৰে পৰা আজিলৈকে নিজৰ ঈশ্বৰ যিহোৱাৰ অহিতে পাপ কৰিলোঁ,
আৰু নিজৰ ঈশ্বৰ যিহোৱাৰ আজ্ঞা পালন নকৰিলোঁ।”

**4** যিহোৱাই কৈছে: হে ইস্রায়েল লোকসকল, এই আন আন দেৱ-
দেৱীবোৰক এৰা আৰু মোলৈ উলটি আহাঁ! তুমি যদি এই জঘন্য দেৱ-

দেৱীবোৰৰ পৰা আঁতৰি আহিব খোজা, তেন্তে তোমাক অগ্ৰাহ্য কৰা
নহ’ব। ২ আৰু যদি তুমি ঘোষণা কৰা, যে ‘নিশ্চয়কৈ যিহোৱা জীৱিত,
তেওঁ যিটো কয়, সেয়ে সত্য, ন্যায় আৰু ধাৰ্মিকতাৰ জীৱনৰ কথা
কয়’, যিহোৱাৰ জীৱনৰ শপত কৰিবা আৰু জাতিবোৰে তেওঁতেই
নিজক আশীৰ্ব্বাদপ্ৰাপ্ত বুলি জ্ঞাত কৰিব, আৰু তেওঁতেই তেওঁলোকে
গৌৰৱ কৰিব। ৩ সেই বাবেই যিহোৱাই যিহূদা আৰু যিৰূচালেমৰ
লোকসকলক এই কথা কৈছে, “খেতিয়কে নিজৰ কঠিন মাটি চহাই
গুটি ৰুবলৈ প্ৰস্তুত কৰাৰ দৰে মোৰ বাক্য তোমালোকৰ গুপ্ত স্থানত
গ্ৰহণ কৰিবলৈ যুগুত থাকিবা। কিন্তু যিহেতু খেতিয়কে কাঁইটীয়া বন
থকা মাটিত নষ্ট হ’বলৈ ভাল গুটি নিসিঁচে, তেনেকৈ তোমালোকৰ
কঠিন মনত সেই বাক্য দি, নষ্ট কৰিবলৈ মই নোখোজো। ৪ হে
যিহূদাৰ লোক, হে যিৰূচালেম নিবাসীসকল, তোমালোকে যিহোৱাৰ
উদ্দেশ্যে চুন্নৎ হোৱা, নিজ নিজ হৃদয়ৰ অগ্ৰচৰ্ম্ম গুচাই পেলোৱা,
নতুবা তোমালোকৰ কাৰ্যৰ দুষ্টতাৰ বাবে মোৰ ক্ৰোধাগ্নি জ্বলি উঠি
কোনেও নুমাব নোৱাৰাকৈ দগ্ধ কৰিব। ৫ যিহূদাত বাকি ঠাইবোৰত
প্ৰচাৰ কৰা আৰু যিৰূচালেমৰ সকলো লোকসকলৰ আগত ঘোষণা
কৰা। আৰু চোৱা, “দেশত তোমালোকে শিঙা বজোৱা;” আৰু ৰিঙিয়াই
কোৱা, “গোট খোৱা, আহাঁ, আমি গড়েৰে আবৃত হোৱা নগৰবোৰত
সোমাওঁগৈ।” ৬ যিৰূচালেমৰ লোকসকলক চিঞঁৰি কোৱা, ‘ৰক্ষা পাবলৈ
পলোৱা! পলম নকৰিবা, কিয়নো মই উত্তৰ দিশৰ পৰা তোমালোকৰ
ওপৰত ভয়ানক অমঙ্গল আৰু মহাসংহাৰ আনি আছোঁ।’ ৭ এটা
সিংহই নিজ গাতৰ পৰা ওলাই আন আন জন্তুবোৰক সংহাৰ কৰাৰ
দৰে বহু জাতিক সংহাৰ কৰা সৈন্যই তোমালোকক আক্ৰমণ কৰিব।
সৈন্যসকলে ইতিমধ্যে তোমালোকৰ দেশৰ অভিমুখে কুচকাৱাজ কৰি
খোজ কাঢ়িবলৈ ধৰিছে। তেওঁলোকে তোমালোকৰ নগৰবোৰ ধ্বংশ
কৰিব আৰু তাত থকা সকলোকে উচ্ছন্ন কৰি মানুহশূন্য কৰি এৰি থৈ
যাব। ৮ এই হেতুকে তোমালোকে কঁকালত চট বান্ধা, বুকুত ভুকুৱাই
হাহাঁকাৰ কৰি ক্ৰন্দন কৰা আৰু দেখুউৱা যে তোমালোকে যি যি কৰিলা
তাৰ বাবে তোমালোক অতি দুখিত কিয়নো যিহোৱাৰ জলন্ত ক্ৰোধ

আমাৰ পৰা এতিয়াও ঘূৰি যোৱা নাই। ৯ যিহোৱাই ঘোষণা কৰিছে যে,
যেতিয়া তেওঁ শাস্তি দিয়ে, সেই কালত ৰজাৰ মন আৰু অধ্যক্ষসকলৰ
মন ব্যাকুল হ'ব, পুৰোহিতসকলে বিস্ময় মানিব, আৰু ভাববাদীসকল
আতংকিত হ'ব। ১০ তেতিয়া মই উত্তৰ দি ক'লোঁ, "হায় হায়, হে
মোৰ প্ৰভু যিহোৱা, স্বৰূপেই তুমি এই জাতিক আৰু যিৰূচালেমক
অত্যন্ত প্ৰবঞ্চনা কৰিলা, কাৰণ তুমি কৈছিলা, 'তোমালোকৰ শান্তি হ'ব'
অথচ তৰোৱালে মৰ্ম ভেদিছে!" ১১ সেই কালত এই জাতিক আৰু
যিৰূচালেমক এই কথা কোৱা যাব, "ঘেহুঁৰ পৰা তুঁহ আঁতৰোৱা কোমল
বতাহৰ দৰে নহয়, কিন্তু অৰণ্যত থকা গছ-শূন্য পৰ্ব্বতবোৰৰ পৰা
গৰম বতাহৰ দৰে এক বৃহৎ সৈন্যৰ দলে তোমালোকক আক্ৰমণ
কৰিব। ১২ সেয়ে এক প্ৰবল বা-মাৰলি মোৰ আজ্ঞাত আহিব। গতিকে
এতিয়া মইও তেওঁলোকৰ বিৰুদ্ধে দণ্ডাজ্ঞা প্ৰচাৰ কৰিম।" ১৩ চোৱা,
আমাৰ শত্ৰুবোৰ আমালৈ বেগেৰে আহি আছে; সি মেঘবোৰৰ দৰে
উঠি আহিব; তাৰ ৰথবোৰ বা-মাৰলী বতাহস্বৰূপ; তাৰ ঘোঁৰাবোৰ
কুৰৰ পক্ষীতকৈয়ো বেগী। হায় হায়, আমাৰ সৰ্ব্বনাশ! কিয়নো আমি
নষ্ট হ'লোঁ। ১৪ হে যিৰূচালেমৰ লোকসকল, যিহোৱাই ৰক্ষা কৰিবলৈ,
তোমালোকৰ হৃদয় ধুই দুষ্টতা দূৰ কৰা। তোমালোকৰ অন্তৰত কু-
ভাবনা আৰু কিমান দিন ৰাখিবা? ১৫ কিয়নো দানৰ নগৰৰ পৰা
ইফ্ৰয়িম পৰ্ব্বতৰ উত্তৰ ফালে অতি দুৰৈত কোনো প্ৰচাৰ কৰোঁতাৰ
দ্বাৰাই অমঙ্গলৰ বাৰ্ত্তা শব্দ শুনা গৈছে। ১৬ ইয়াক তোমালোকে আন
আন জাতিবোৰৰ আগত কোৱাগৈ আৰু যিৰূচালেমতো ঘোষণা কৰা:
যিহোৱাই কৈছে, চোৱা, অৱৰোধকাৰীবোৰ যে দূৰ দেশৰ পৰা আহিব
লাগিছে, আৰু যিহূদাৰ নগৰবোৰৰ বিৰুদ্ধে যে তেওঁলোকে ৰণ-ধ্বনি
কৰিব। ১৭ খেতিৰ সময়ত খেতি-ৰখীয়াবোৰৰ দৰে তেওঁলোকে
যিৰূচালেমৰ চাৰিওফালে অস্থায়ীভাৱে ছাউনি পাতি থাকিব। যিহোৱাই
কৈছে, এইদৰেই ঘটিব, কিয়নো তেওঁলোকে মোৰ অহিতে বিদ্ৰোহ-
আচৰণ কৰিলে। ১৮ তোমালোকলৈ সেই শাস্তি অতি কঠোৰ হ'ব;
তোমালোকৰ কলিজাবোৰত তৰোৱালে খোচ মাৰি আঘাত কৰাৰ দৰে
হ'ব। তোমালোকৰ নিজ আচৰণ আৰু কাৰ্যবোৰেই তোমালোকলৈ

ইয়াক ঘটাইছে; সেয়ে তোমালোকৰ দুষ্টতাৰ ফল। ১৯ হায় হায়
মোৰ নাড়ী! মোৰ নাড়ী! মই অতিশয় শোক-পীড়িত হৈছোঁ; মোৰ
অন্তৰত মই অতি বেদনা পাইছোঁ। মোৰ কলিজাৰ ধপধপনি অধিক
হৈছে! কিন্তু মই নিৰৱে থাকিব নোৱাৰোঁ, কিয়নো যিহূদাৰ বিৰুদ্ধে
যুদ্ধ আৰম্ভ যে হ'ব, শত্রুৰ শিঙাৰ শব্দ আৰু যুদ্ধৰ ধ্বনি মই শুনিলো!
২০ গোটেই দেশ উচ্ছন্ন নোহোৱালৈকে বিনাশৰ উপৰি বিনাশ হ'ব।
অকস্মাতে আমাৰ তম্বুবোৰ, মুহূৰ্ত্ততে ধ্বংশ হ'ব; আনকি মোৰ তম্বুৰ
কাপোৰবোৰ ফালি চিৰাচিৰ হ'ব। ২১ কিমান কাল এই যুদ্ধ চলিব?
কিমান কালনো শত্রুৰ এই যুদ্ধৰ নিচান দেখিম আৰু তেওঁলোকৰ
ৰণশিঙাৰ শব্দ শুনিম? ২২ যিহোৱাই কৈছে: কিয়নো মোৰ প্রজাসকল
অজ্ঞানী! মোৰ সৈতে তেওঁলোকৰ কোনো সম্পৰ্ক নাই। তেওঁলোক মূৰ্খ,
অজলা লৰা-ছোৱালিৰ দৰে কোনো বিষয় বুজি নাপায়। তেওঁলোক
কদাচাৰত পটু, কিন্তু সদাচৰণত অজ্ঞান। ২৩ ঈশ্বৰে মোক এক দৰ্শন
দিলে য'ত মই পৃথীৱীলৈ চাই দেখিলোঁ, চোৱা, সেয়ে ধ্বংস হ'ল
আৰু উদং; আৰু আকাশ-মণ্ডললৈ চালোঁ, তাত কোনো দীপ্তি নাছিল।
২৪ মই পৰ্ব্বতবোৰলৈ দৃষ্টি কৰিলোঁ, চোৱা, সেইবোৰ এফালৰ পৰা
আনফাললৈ কঁপিছে, আৰু আটাই গিৰিবোৰ লৰিছে। ২৫ মই চাই
দেখিলোঁ, কোনো মানুহ যেন নাই আৰু আকাশৰ পক্ষীবোৰো পলাই
গ'ল। ২৬ মই চাই দেখিলোঁ, ফলৱতী পথাৰবোৰ মৰুভূমি হৈ পৰিল
যিবোৰ আগতে ফলৱতী বাৰী আছিল। আটাই নগৰ ভগ্ন হ'ল; সেই
সকলো যিহোৱাৰ সাক্ষাতে আৰু তেওঁৰ অতি জ্বলন্ত ক্রোধৰ প্রভাৱত
ধ্বংশ কৰা হ'ল। ২৭ কিয়নো যিহোৱাই এই কথাই কৈছে: গোটেই
যিহূদাৰ দেশ ধ্বংসৰ ঠাই হ'ব, তথাপি মই নিঃশেষে সংহাৰ নকৰিম।
২৮ এই হেতুকে মই যি ক'লো, মোৰ লোকসকললৈ এইদৰেই কৰিম,
আৰু মোৰ মন মই সলনি নকৰিম। গতিকে যেতিয়া এইবোৰ ঘটিব,
পৃথিৱীয়ে শোক কৰা যেন হ'ব আৰু ওপৰত থকা আকাশ-মণ্ডল
অন্ধকাৰময় যেন হ'ব।" ২৯ অশ্বাৰোহী আৰু ধনুৰ্দ্ধসকলৰ শব্দত
নগৰখনেই পলাব। কোনো কোনোৱে ডাঠ হাবিত সোমাব, আৰু
কোনো কোনোৱে শত্রুৰ হাতত নিহত হোৱাৰ পৰা ৰক্ষা পাবলৈ

শিলত উঠিব। যিহূদাৰ গোটেই নগৰ ত্যাগ কৰা হ’ব; তাৰ মাজত
বাস কৰোঁতা মানুহ কোনো নাথাকিব। ৩০ এতেকে তোমালোক
নিশ্চয়ে ধ্বংশ হ’বা, হে বিনষ্টা, তেতিয়া তোমালোকে কি কৰিবা?
যদিও তুমি কাপোৰ পিন্ধা, সোণৰ অলঙ্কাৰেৰে নিজকে ভুষিত কৰা
আৰু কাজলেৰে চকু দুটা ডাঙৰ কৰা, তথাপিও তুমি নিজকে সুন্দৰী
কৰা বৃথা; উপপতিবোৰে তোমাক ঘৃণাব, তেওঁলোকে তোমাৰ প্ৰাণ
নষ্ট কৰিবলৈ বিচাৰিব। ৩১ কিয়নো মই ইতিমধ্যেই যিৰূচালেমৰ
লোকসকলৰ মাত শুনিবলৈ পালোঁ যেন এগৰাকি প্ৰসৱকাৰিণী স্ত্ৰীৰ
কান্দোন, প্ৰথম লৰা ওপজোৱা জনীৰ বেদনাৰ শব্দ যেন শুনিছোঁ;
কোনোজনৰ পৰা সহায় পাবলৈ কান্দি কান্দি কাতৰোক্তি কৰি কোৱাৰ
দৰেহে যেন কৈছে, “মোৰ সৰ্ব্বনাশ! কিয়নো বধকাৰীবোৰৰ আগত
মোৰ প্ৰাণ অচেতন হৈছে,” এই বুলি কৈ দীঘল নিশ্বাস পেলোৱা; হাত
বিস্তাৰ কৰা চিয়োন জীয়াৰীৰ শব্দ শুনিছোঁ!”

৫ “তোমালোকে যিৰূচালেমৰ বাটে বাটে ইফালে সিফালে লৰি ফুৰা
আৰু মন দি চোৱা, আৰু তাৰ চুকে চুকে বিচাৰা, ন্যায় কাৰ্যকাৰী আৰু
সত্যৰ অনুগামী এজনকো যদি পোৱা, তেন্তে মই নগৰখনক ক্ষমা
কৰিম। ২ যদিও তেওঁলোকে ‘যিহোৱাৰ জীৱনৰ শপত,’ এই বুলি ক’য়,
তথাপি তেওঁলোকে মিছা শপতহে খায়। ৩ হে যিহোৱা, তোমাৰ দৃষ্টি
সত্যলৈ নহয় নে? তুমি তেওঁলোকক প্ৰহাৰ কৰিলা; তথাপি তেওঁলোক
দুখিত নহ’ল। তুমি তেওঁলোকলৈ বিনাশ আনিলা, তথাপি তেওঁলোক
শাস্তি গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিলে, তেওঁলোকে নিজ নিজ মুখ
শিলতকৈয়ো টান কৰি উভটি আহিবলৈ অমান্তি হ’ল। ৪ তেতিয়া মই
ক’লোঁ, “স্বৰূপেই এইসকল দৰিদ্ৰ লোক। তেওঁলোক অজ্ঞানী, কাৰণ
তেওঁলোকে যিহোৱাৰ পথ, আৰু নিজৰ ঈশ্বৰৰ পথ নাজানে। ৫ মই
ডাঙৰীয়াসকলৰ ওচৰলৈ গৈ তেওঁলোকৰ আগত কথা কম; কিয়নো
তেওঁলোকে ক’লে, যিহোৱাৰ পথ আৰু তেওঁলোকৰ ঈশ্বৰৰ শাসন
জানে, কিন্তু তেওঁলোকে এক মত হৈ যুৱলি ভাঙিলে আৰু যোঁত-জৰী
চিঙি পেলালে। ৬ এই কাৰণে কাঠনিৰ পৰা সিংহ আহি তেওঁলোকক
বধ কৰিব। সন্ধ্যাবেলাত ওলোৱা ৰাংকুকুৰে তেওঁলোকক বিনষ্ট কৰিব।

নাহৰফুটুকী বাঘে তেওঁলোকৰ নগৰৰ ওচৰত খাপ দি থাকিব। যেয়ে
নগৰৰ পৰা বাহিৰ ওলাব, তাক চিৰাচিৰ কৰা হ'ব। কাৰণ তেওঁলোকৰ
অধৰ্ম অধিক আৰু তেওঁলোকৰ বিপথগমন সৰহ। ৭ ইয়াৰ বাবে মই
এই লোকসকলক কেনেকৈ ক্ষমা কৰিব পাৰোঁ? তোমাৰ সন্তান সকলে
মোক ত্যাগ কৰি অনীশ্বৰবোৰৰ নামেৰে শপত খালে। মই যেতিয়া
তেওঁলোকক সম্পূৰ্ণকৈ খুৱাইছিলোঁ, তেতিয়া তেওঁলোকে পৰস্ত্ৰীগমন
কৰিছিল আৰু বেশ্যাৰ ঘৰত জুমে জুমে গোট খাইছিল। ৮ তেওঁলোকে
ৰাতিপুৱাতে উঠি, দানা খুউৱা মতা ঘোঁৰাৰ নিচিনাকৈ প্ৰতিজনে নিজৰ
ওচৰ-চুবুৰীয়াৰ পত্নীলৈ ঢেকঢেকায়। ৯ গতিকে মই জানো এই
কাৰ্যবোৰৰ বাবে দণ্ড নিদিম? এইয়েই যিহোৱাৰ ঘোষণা। নাইবা
মোৰ প্ৰাণে জানো এনে জাতিৰ প্ৰতিকাৰ নাসাধিব? ১০ তোমালোকে
তাইৰ দ্ৰাক্ষাবাৰীবোৰ পাৰ হৈ তাক নষ্ট কৰা। কিন্তু নিঃশেষে সংহাৰ
নকৰিবা। তাৰ ডালবোৰ দূৰ কৰা, কাৰণ সেইবোৰ যিহোৱাৰ নহয়।
১১ কিয়নো এয়েই যিহোৱাৰ ঘোষণা, কাৰণ ইস্ৰায়েল বংশ আৰু
যিহূদা বংশই মোৰ অহিতে অতিশয় বিশ্বাসঘাতকতা কৰিলে। ১২
তেওঁলোকে মোক অস্বীকাৰ কৰিলে। আৰু ক'লে, 'এওঁ আচল নহয়।
আমালৈ অমঙ্গল নঘটিব, আমি তৰোৱাল কি আকাল নেদেখিম। ১৩
ভাববাদীসকল বায়ুস্বৰূপ হ'ল, তেওঁলোকৰ মাজত যিহোৱাৰ বাক্য
ঘোষণা কৰিবলৈ কোনো নাই। তেওঁলোকৰ আশংকা তেওঁলোকতেই
হওঁক'।" ১৪ এই কাৰণে বাহিনীসকলৰ ঈশ্বৰ যিহোৱাই কৈছে, চোৱা
এই কথা কোৱা বাবে, মই তোমাৰ মুখত মোৰ বাক্য অগ্নিস্বৰূপ,
আৰু এই জাতিক খৰিস্বৰূপ কৰিম; সেয়ে তেওঁলোকক গ্ৰাস কৰিব।
১৫ যিহোৱাই এই কথা ঘোষণা কৰিলে, হে ইস্ৰায়েল বংশ, চোৱা!
মই তোমালোকৰ বিৰুদ্ধে দূৰৰ পৰা এক জাতি আনিম। তেওঁলোক
বলৱান জাতি! তুমি সেই জাতিৰ ভাষা নাজানা, বা তেওঁলোকৰ
কথাও নুবুজা! ১৬ তেওঁলোকৰ টোণ মুকলি মৈদামৰ নিচিনা, আৰু
তেওঁলোকৰ আটাই লোক বীৰ। ১৭ তেওঁলোকে তোমাৰ পো-জীসকলে
খাব লগীয়া শস্য আৰু আহাৰ খাব। তেওঁলোকে তোমাৰ মেৰ আৰু
গৰুৰ জাকবোৰ খাব; তেওঁলোকে তোমাৰ দ্ৰাক্ষালতা আৰু ডিমৰু

ফলবোৰ খাব। গড়েৰে আবৃত যি নগৰবোৰত তুমি বিশ্বাস কৰিছা,
তেওঁলোকে সেইসকলক তৰোৱালেৰে গুড়ি কৰিব। ১৮ যিহোৱাই
এইদৰে কৈছে, কিন্তু সেই কালতো মই তোমালোকক নিঃশেষে সংহাৰ
নকৰিম। ১৯ আৰু আমাৰ ঈশ্বৰ যিহোৱা, আমালৈ এইবোৰ কিয়
কৰিলে? এইবুলি যেতিয়া তোমাৰ লোকসকলে সুধিব, তেতিয়া তুমি,
যিৰিমিয়া, তেওঁলোকক ক'বা, "তোমালোকে যেতিয়া মোক ত্যাগ
কৰি তোমালোকৰ নিজ দেশত বিজাতীয় দেৱতাবোৰৰ বন্দীকাম
কৰোৱালা, তেনেকৈ বিদেশত বিদেশীবোৰৰো বন্দীকাম কৰিবা।
২০ তোমালোকে যাকোবৰ বংশক এই কথা জনোৱা, আৰু যিহূদাৰ
মাজত এই কথা প্ৰচাৰ কৰা, ২১ যে, 'হে অজ্ঞান আৰু নিৰ্ব্বোধ
জাতি! কাৰণ এই মুৰ্ত্তিবোৰত কোনো ইন্দ্ৰিয়ানুভূতি নাই; চকু থকাতো
অন্ধ। আৰু কাণ থকাতো কলা। ২২ এনে জনা যি মই, মোকেই
তোমালোকে ভয় নকৰিবা নে? মোৰেই আগত তোমালোকে কম্পিত
নহ'বা নে? তোমালোকে এই কথা শুনা, যিহোৱাই কৈছে, যি জনাই
চিৰস্থায়ী আদেশেৰে সাগৰৰ সীমা বালিৰে এনেকৈ স্থিৰ কৰিলে, যে,
সি তাক পাৰ হব নোৱাৰে, আৰু তেওঁৰ ঢৌবোৰে আস্ফালন কৰিলেও,
সেইবোৰে পৰাজয় কৰিব নোৱাৰে, আৰু গৰ্জ্জন কৰিলেও, তাক
অতিক্ৰম কৰিব নোৱাৰে। ২৩ কিন্তু এই জাতি অতিশয় আঁকোৰগোজ
আৰু বিদ্ৰোহীমনা, তেওঁলোকে বিদ্ৰোহ কৰি অবাটে গ'ল। ২৪ কাৰণ
তেওঁলোকে এইবুলি নকয়, "আহাঁ, আমাৰ ঈশ্বৰ সেই যিহোৱাক আমি
ভয় কৰোঁহক, যি জনাই বতৰত আগতীয়া আৰু শেষতীয়া এই দুয়ো
বৰষুন দিয়ে, যি জনাই শস্য দোৱা নিৰূপিত সপ্তাহ কেইটা আমাৰ
নিমিত্তে ৰক্ষা কৰে," এইবুলি তেওঁলোকৰ মনত তেওঁলোকে নকয়।
২৫ তোমালোকৰ অপৰাধে এইবোৰ ঘটালে। আৰু তোমালোকৰ
পাপবোৰে তোমালোকৰ পৰা মঙ্গল আটক কৰিলে। ২৬ কিয়নো
মোৰ প্ৰজাসকলৰ মাজত দুষ্টলোক পোৱা যায়; চৰাই-মৰিয়াই খাপ
দি থকাৰ দৰে, তেওঁলোকে খাপ দি থাকে, তেওঁলোকে ফান্দ পাতি
মানুহকেই ধৰে। ২৭ সজা যেনেকৈ চৰাইৰে পূৰ, তেওঁলোকৰ ঘৰ
তেনেকৈ ছলেৰে পৰিপূৰ্ণ। এই কাৰণে তেওঁলোক বৰ লোক আৰু

ধনী হ'ল। ২৮ তেওঁলোক ৰিষ্ট-পুষ্ট আৰু চিকচিকীয়া, এনে কি,
তেওঁলোকে দুষ্কৰ্মত অতিৰিক্ত কৰে। তেওঁলোকে বিচাৰত প্ৰতিবাদ
নকৰে, পিতৃহীনৰ কুশলৰ অৰ্থে তেওঁলোকে বিচাৰত প্ৰতিবাদ নকৰে,
আৰু দৰিদ্ৰসকলৰ বিচাৰ নিস্পত্তি নকৰে। ২৯ যিহোৱাই এইদৰে
ঘোষনা কৰিছে, যে এইবোৰ কাৰ্যৰ বাবে মই জানো তেওঁলোকক দণ্ড
নিদিম? মোৰ প্ৰাণে জানো এনে জাতিৰ প্ৰতিকাৰ নাসাধিব? ৩০
দেশৰ মাজত এক আচৰিত আৰু নোম শিয়ৰি উঠা ঘটনাবোৰ ঘটিছে।
৩১ ভাববাদীসকলে মিছা ভাববাণী প্ৰচাৰ কৰে, আৰু পুৰোহিতসকলে
তেওঁলোকৰ দ্বাৰাই চালিত হৈ শাসন কৰে। আৰু মোৰ প্ৰজাসকলে
এনেকুৱাবোৰ হোৱাতোহে ভাল পায়; কিন্তু ইয়াৰ অন্তত তোমালোকৰ
পৰিণাম কি হ'ব?

**৬** "হে বিন্যামীনৰ সন্তান সকল, তোমালোকে যিৰূচালেমৰ মাজৰ
পৰা ৰক্ষাৰ পাবৰ বাবে পলোৱা, আৰু তকোৱাত শিঙা বজোৱা। আৰু
বৈৎহক্কেৰমত এক নিচান তোলা; কিয়নো উত্তৰ ফালৰ পৰা এক
অমঙ্গল আৰু মহাসংহাৰে দেখা দিছে। ২ সুন্দৰী আৰু আলসুৱা চিয়োন
জীয়াৰীক মই সংহাৰ কৰিম। ৩ মেৰ-ছাগ ৰখীয়াবোৰে নিজ নিজ
জাক লগত লৈ তাইৰ ওচৰলৈ আহিব; তেওঁলোকে তাইৰ বিৰুদ্ধে
চাৰিওফালে নিজ নিজ তম্বু তৰিব, আৰু প্ৰতিজনে নিজ নিজ ঠাইত
চৰিব। ৪ তোমালোকে তাইৰ বিৰুদ্ধে যুদ্ধৰ আয়োজন কৰা। "আমি
উঠি দুপৰীয়া যাত্ৰা কৰোঁহক। কি দুখৰ বিষয়! চোৱা, দিনৰ শেষ হৈছে,
এনে কি, সন্ধিয়া বেলাৰ ছাঁ দীঘলীয়া হৈছে। ৫ আমি উঠি ৰাতি যাত্ৰা
কৰি তাইৰ অট্টালিকাবোৰ নষ্ট কৰোঁহক।" ৬ কিয়নো বাহিনীসকলৰ
যিহোৱাই এইদৰে কৈছে: তোমালোকে কাঠ কাটি যিৰূচালেমৰ অহিতে
দ'ম বান্ধা। সেয়ে দণ্ড পাবলগীয়া নগৰী; তাৰ মাজত সম্পূৰ্ণ অত্যাচাৰ
আছে। ৭ যেনৈকে ভুমুকে নিজৰ শীতল পানী উলিয়াই থাকে, তেনেকৈ
তাই নিজৰ দুষ্টতা উলিয়াই থাকে। তাইৰ মাজত অত্যাচাৰ আৰু
লুটৰ কথা শুনা যায়; নৰিয়া পৰা আৰু ঘা লগা সদায় মোৰ চকুত
পৰে। ৮ হে যিৰূচালেম, সতৰ্ক হোৱা, নহ'লে মোৰ মন তোমাৰ পৰা
নিলগত হব; নহ'লে মই তোমাক উচ্ছন্ন ঠাই আৰু নিবাসীহীন দেশ

কৰিম। ৯ বাহিনীসকলৰ যিহোৱাই এই কথা কৈছে: যে তেওঁলোকে
দ্ৰাক্ষাফলৰ দৰে ইস্ৰায়েলৰ অৱশিষ্টখিনি সম্পূৰ্ণকৈ গোটাব। দ্ৰাক্ষাগুটি
চপাওঁতা জনৰ নিচিনা তুমি বাৰে বাৰে পাচিলৈ হাত নিয়া। ১০
তোমালোকে শুনিবৰ কাৰণে মই কাৰ আগত কম, আৰু সাক্ষ্য দিম?
চোৱা, তেওঁলোকৰ কাণ অচুন্নৎ, তেওঁলোকে শুনিব নোৱাৰে; চোৱা!
যিহোৱাৰ বাক্য তেওঁলোকৰ ধিক্কাৰৰ বিষয় হৈছে; তেওঁলোকে তাত
একো সন্তোষ নাপায়। ১১ এই হেতুকে মই যিহোৱাৰ ক্ৰোধেৰে
পৰিপূৰ্ণ হৈছোঁ; মই তাক আটক কৰি ৰাখিবলৈ ক্লান্ত হৈছোঁ। আলিত
শিশুসকলৰ ওপৰত, আৰু ডেকাসকলৰ সভাৰ ওপৰত তাক একেবাৰে
ঢালি দিয়া। কিয়নো ভাৰ্য্যাৰে সৈতে স্বামী, সম্পূৰ্ণ আয়ুসপ্ৰাপ্ত লোকৰ
সৈতে বৃদ্ধ, সকলোকে ধৰা যাব। ১২ তেওঁলোকৰ ঘৰবোৰ, পথাৰবোৰ
আৰু তেওঁলোকৰ মহিলাসকলক অন্যক দিয়া যাব। কাৰণ যিহোৱাই
কৈছে, মই দেশনিবাসীসকলৰ বিৰুদ্ধে মোৰ হাত মেলিম। ১৩ কিয়নো
তেওঁলোকৰ সৰুৰ পৰা বৰলৈকে প্ৰতিজন লোভত আসক্ত, আৰু
ভাববাদীৰ পৰা পুৰোহিতলৈকে প্ৰতিজনে প্ৰবঞ্চনা কাৰ্য কৰে। ১৪
যেতিয়া কোনো ‘শান্তি! নাই, তেতিয়া তেওঁলোকে শান্তি! বুলি কৈ মোৰ
প্ৰজাসকলৰ ঘা সামান্যৰূপে সুস্থ কৰিলে। ১৫ তেওঁলোক ঘিণলগীয়া
কাৰ্য কৰাত তেওঁলোকে লাজ পাওক ছাৰি মুখ বিবৰ্ণ কৰিবলৈ জনা
নাই; সেই কাৰণে তেওঁলোকে পতিত হোৱা লোকসকলৰ মাজত পতিত
হব। যিহোৱাই কৈছে, মই তেওঁলোকক দণ্ড দিয়াৰ সময়ত তেওঁলোকে
উজুটি খাই পৰিব।” ১৬ যিহোৱাই এই কথা কৈছে: যে, তোমালোকে
চাৰিআলিৰ মূৰত থিয় হৈ চোৱা; আৰু প্ৰাচীন পথবোৰৰ বিষয়ে সোধা,
‘উত্তম পথ কোনটো? আৰু তাত চলা; তাতে তোমালোকৰ প্ৰাণত
বিশ্ৰাম পাবলৈ এটি ঠাই বিচাৰি লোৱা; কিন্তু তেওঁলোকে ক’লে,
আমি তাত নচলোঁ। ১৭ শিঙাৰ শব্দলৈ কাণ পাতিবা বুলি কৈ, মই
তোমালোকৰ ওপৰত প্ৰহৰীবোৰ নিযুক্ত কৰিলোঁ; কিন্তু তেওঁলোকে
ক’লে, “আমি কাণ নাপাতিম।” ১৮ এই হেতুকে হে জাতি সমূহ, শুনা!
হে মণ্ডলী, তেওঁলোকৰ অন্তৰত কি আছে, তাক বুজা। ১৯ শুনা, হে
পৃথিৱী! চোৱা, মই এই জাতিৰ ওপৰত অমঙ্গল ঘটাম, তেওঁলোকৰ

কল্পনাবোৰৰ ফল দিম। কিয়নো তেওঁলোকে মোৰ বাক্যলৈ কাণ দিয়া
নাই, আৰু মোৰ ব্যৱস্থা অগ্ৰাহ্য কৰিলে। ২০ চিবাৰ পৰা মোৰ ওচৰলৈ
কুন্দুৰু, আৰু দূৰ দেশৰ পৰা সুগন্ধি বচ কি অভিপ্ৰায়েৰে আহিছে?
তোমালোকৰ হোম-বলিবোৰ গ্ৰহণীয় নহয়, নাইবা তোমালোকৰ
মঙ্গলাৰ্থক বলি মোৰ সন্তোষজনক নহয়। ২১ এই হেতুকে যিহোৱাই
এই কথা কৈছে: চোৱা, মই এই জাতিৰ আগত উজুটি খোৱা মূঢ়া
থম; তেতিয়া বাপেক আৰু পুতেকহঁতে একে সময়ত তাত উজুটি খাই
পৰিব। ওচৰ-চুবুৰীয়া আৰু তাৰ বন্ধু বিনষ্ট হ'ব। ২২ যিহোৱাই এই
কথা কৈছে: চোৱা, উত্তৰ দেশৰ পৰা এক জাতি আহিছে, পৃথিৱীৰ
অন্তভাগৰ পৰা এক মহাজাতি উত্তেজিত হৈছে। ২৩ তেওঁলোকে ধনু
আৰু বৰছা ধৰিব। তেওঁলোক নিষ্ঠুৰ আৰু দয়াহীন; তেওঁলোকৰ শব্দ
সমুদ্ৰৰ গৰ্জ্জনৰ নিচিনা, আৰু তেওঁলোক ঘোঁৰাত উঠে; হে চিয়োন-
জীয়াৰী, তোমাৰ বিৰুদ্ধে তেওঁলোক প্ৰতিজনে যুদ্ধাৰুৰ দৰে সাজু হৈ
আছে। ২৪ আমি তেওঁলোকৰ যশস্যা শুনিছোঁ। আমাৰ হাত দুৰ্ব্বল
হ'ল। যাতনাই, প্ৰসৱকাৰীণীৰ বেদনাৰ দৰে বেদনাই আমাক ধৰিছে।
২৫ পথাৰলৈ নাযাবা, আৰু ৰাজআলিত অহা-যোৱা নকৰিবা, কিয়নো
শত্ৰূ তৰোৱাল, চাৰিওফালে ত্ৰাসৰ সৃষ্টি কৰি আছে। ২৬ হে মোৰ
জাতিস্বৰূপা জীয়াৰী, কঁকালত চট বান্ধা, আৰু ছাইত বাগৰা; একেটি
পুত্ৰৰ মৃত্যুৰ বাবে শোক কৰাৰ দৰে শোক কৰা। আৰু অত্যন্ত বিলাপ
কৰা, কিয়নো বিনষ্ট কৰোঁতাই অকস্মাতে আমাৰ ওপৰত আক্ৰমণ
চলাব। ২৭ মোৰ প্ৰজাসকলৰ পথ পৰীক্ষা কৰি জানিবৰ বাবে, মই
তেওঁলোকৰ মাজত তোমাক পৰীক্ষক কৰি দুৰ্গস্বৰূপে স্থাপন কৰিলোঁ।
২৮ তেওঁলোক সকলোৱেই অতিশয় বিদ্ৰোহী আৰু পৰচৰ্চ্চাকাৰী।
তেওঁলোক পিতল আৰু লোহাস্বৰূপ; তেওঁলোক সকলো দুৰাচাৰী। ২৯
ভাতীয়ে বৰকৈ তাও দিছে; সীহ জুইত নষ্ট হৈছে; লোকে মিছাকৈয়ে
খপি থাকিছে; কিয়নো ভাঁজস্বৰূপ দুষ্টবোৰক বাহিৰ কৰা নাযায়।
৩০ যিহোৱাই তেওঁলোকক অগ্ৰাহ্য কৰা বাবে, মানুহে তেওঁলোকক
“পেলনীয়া ৰূপ” বুলিব'!”

৭ যিহোৱাৰ পৰা যিৰিমিয়ালৈ এই বাক্য আহিল আৰু ক'লে: ২
বোলে, তুমি যিহোৱাৰ গৃহৰ বাহিৰৰ দুৱাৰ মুখত থিয় হৈ, তাত
এই বাক্য প্ৰচাৰ কৰা আৰু কোৱা, 'যিহোৱাক প্ৰণিপাত কৰিবলৈ
এই দুৱাৰবোৰত সোমোৱা হে যিহূদাৰ লোকসকল, যিহোৱাৰ বাক্য
শুনা। ৩ ইস্ৰায়েলৰ ঈশ্বৰ বাহিনীসকলৰ যিহোৱাই এই কথা কৈছে:
তোমালোকে তোমালোকৰ আচাৰ-ব্যৱহাৰ আৰু কাৰ্য শুধৰোৱা;
তেতিয়া মই তোমালোকক এই ঠাইত বাস কৰোৱাম। ৪ এইবোৰ
"যিহোৱাৰ মন্দিৰ! যিহোৱাৰ মন্দিৰ! যিহোৱাৰ মন্দিৰ!" এই বুলি কোৱা
কথাত তোমালোকে বিশ্বাস নকৰিবা। ৫ কিয়নো যদি তোমালোকে
নিজ নিজ আচাৰ-ব্যৱহাৰ আৰু কাৰ্য সম্পূৰ্ণকৈ শুধৰোৱা, যদি কোনো
মানুহ আৰু তাৰ ওচৰ-চুবুৰীয়াৰ মাজত তোমালোকে ন্যায় বিচাৰ
সম্পূৰ্ণকৈ সিদ্ধ কৰা, ৬ বিদেশী, মাউৰা আৰু বিধৱাক উপদ্ৰৱ নকৰা,
আৰু এই ঠাইত নিৰ্দ্দোষীৰ ৰক্তপাত নকৰা, নাইবা তোমালোকৰ
অপৰাধৰ কাৰণে ইতৰ দেৱতাবোৰৰ পাছত নচলা, ৭ তেন্তে মই এই
ঠাইত তোমালোকৰ পূৰ্বপুৰুষসকলক দিয়া এই দেশত তোমালোকক
অনন্ত কাললৈকে বাস কৰোৱাম। ৮ চোৱা! উপকাৰ কৰিব নোৱাৰা
মিছা কথাত তোমালোকে বিশ্বাস কৰিছা। ৯ তোমালোকে চুৰ, নৰ-
বধ, পৰস্ত্ৰীগমন আৰু মিছা শপত খোৱা, বাল দেৱতাৰ উদ্দেশ্যে ধূপ
জ্বলাই, তোমালোকে নজনা ইতৰ দেৱতাবোৰৰ পাছত চলি, সেই
সকলো ঘিণলগীয়া কাৰ্য কৰা? ১০ মোৰ নামেৰে প্ৰখ্যাত এই গৃহত
সোমাই মোৰ আগত থিয় হৈ, 'আমি মুক্তি পালোঁ' এইবুলি কবা নে?
১১ মোৰ নামেৰে প্ৰখ্যাত এই গৃহ তোমালোকৰ দৃষ্টিত ডকাইতৰ গুহা
হল নে? যিহোৱাই ইয়াকেই ঘোষণা কৰিছে, চোৱা! মই, মইয়ো
ইয়াকেই দেখিলোঁ। ১২ কিন্তু, পূৰ্বতে মই য'ত মোৰ নাম স্থাপন
কৰিছিলোঁ, চীলোত থকা মোৰ সেই ঠাইলৈ তোমালোক যোৱা, আৰু
মোৰ প্ৰজা ইস্ৰায়েলৰ দুষ্টতাৰ কাৰণে মই তাক যি কৰিছিলোঁ, তাক
চোৱা। ১৩ আৰু যিহোৱাই কৈছে, তোমালোকে এইবোৰ কাৰ্য কৰিলা,
আৰু মই অতি ৰাতিপুৱাতে উঠি তোমালোকক এই কথা কওঁতেও
তোমালোকে নুশুনিলা আৰু মই মাতোতে তোমালোকে উত্তৰ নিদিলা।

১৪ এই হেতুকে, মোৰ নামেৰে প্ৰখ্যাত, তোমালোকে বিশ্বাস কৰা এই
গৃহক, তোমালোকক আৰু তোমালোকৰ পূৰ্বপুৰুষসকলক মই দিয়া
এই ঠাইক, মই চীলোক কৰাৰ দৰে কৰিম। ১৫ আৰু তোমালোকৰ
ভাইসকলক, এনে কি, ইফ্ৰয়িমৰ গোটেই বংশক যেনেকৈ দূৰ কৰি
পেলালোঁ, তেনেকৈ তোমালোককো মোৰ সন্মুখৰ পৰা দূৰ কৰি
পেলাম। ১৬ এই হেতুকে, তুমি এই জাতিৰ কাৰণে প্ৰাৰ্থনা নকৰিবা,
বা তেওঁলোকৰ কাৰণে নিবেদন কি, প্ৰাৰ্থনা উৎসৰ্গ নকৰিবা, বা
অনুৰোধ নকৰিবা; কিয়নো মই তোমাৰ কথা নুশুনিম। ১৭ তেওঁলোকে
যিহূদাৰ নগৰবোৰত আৰু যিৰূচালেমৰ আলিবোৰত যি কৰিছে, তাক
জানো তুমি দেখা নাই? ১৮ মোক বেজাৰ দি আকাশৰ ৰাণীৰ উদ্দেশ্যে
পিঠা বনাবলৈ আৰু ইতৰ দেৱতাবোৰৰ উদ্দেশ্যে পেয়-নৈবেদ্য উৎসৰ্গ
কৰিবলৈ লৰা-ছোৱালীসকলে খৰি বোটলে, বাপেকহঁতে জুই জ্বলাই,
আৰু মহিলাসকলে মৈদা খচে। ১৯ যিহোৱাই কৈছে, তেওঁলোকে
জানো মোকহে দুখ দিব? কিন্তু নিজৰ মুখ বিবৰ্ণ কৰিবলৈ জানো
নিজৰ মনকেই বেজাৰ নিদিব? ২০ এই হেতুকে প্ৰভু যিহোৱাই
এই কথা কৈছে: চোৱা, এই ঠাইৰ ওপৰত মানুহ, পশু, বাৰীৰ গছ,
আৰু ভুমিৰ ফল, এই সকলোৰে মোৰ ক্ৰোধ আৰু ক্ৰোধাগ্নি ঢলা
যাব আৰু সেয়ে দগ্ধ কৰিব, নুমাই নাযাব। ২১ ইস্ৰায়েলৰ ঈশ্বৰ
বাহিনীসকলৰ যিহোৱাই এই কথা কৈছে: তোমালোকে তোমালোকৰ
মঙ্গলাৰ্থক বলিৰ লগত হোম-বলি যোগ কৰা, আৰু মাংস খোৱা। ২২
কিয়নো যি দিনা মই তোমালোকৰ পূৰ্বপুৰুষসকলক মিচৰ দেশৰ পৰা
উলিয়াই আনিছিলোঁ, সেই দিনা মই হোম-বলি কি মঙ্গলাৰ্থক বলিৰ
বিষয়ে কোৱা বা আজ্ঞা দিয়া নাছিলোঁ। ২৩ কিন্তু তেওঁলোকক এই
আজ্ঞাহে দিছিলোঁ! যে, তোমালোকে মোৰ বাক্য শুনা, তেতিয়া মই
তোমালোকৰ ঈশ্বৰ হ'ম, আৰু তোমালোক মোৰ প্ৰজা হ'বা; আৰু যি
পথত চলিবলৈ মই তোমালোকক আজ্ঞা কৰোঁ, তোমালোকৰ ভালৰ
অৰ্থে তোমালোকে সেই পথত চলা। ২৪ কিন্তু তেওঁলোকে নুশুনি
কাণ নাপাতি নিজৰ মন্ত্ৰণা আৰু দুষ্ট মনৰ কঠিনতা অনুসাৰে চলিলে
আৰু আগ নাবাঢ়ি পাছ হুহঁকিল। ২৫ তোমালোকৰ পূৰ্বপুৰুষসকল

মিচৰ দেশৰ পৰা ওলাই অহা দিনৰে পৰা আজিলৈকে, মই প্ৰতি
প্ৰভাতে উঠি, সদায় মোৰ সকলো দাস ভাববাদীসকলক তোমালোকৰ
ওচৰলৈ পঠাই আছোঁ। ২৬ তথাপি তেওঁলোকে মোৰ বাক্যলৈ মন
নিদিলে, আনকি কাণো নাপাতিলে; কিন্তু নিজ নিজ ডিঙি ঠৰ কৰিলে,
নিজৰ পূৰ্বপুৰুষসকলতকৈয়ো অধিক কু-আচৰণ কৰিলে। ২৭ তুমি
তেওঁলোকক এই আটাইবোৰ কথা ক'বা, কিন্তু তেওঁলোকে তোমাৰ
কথা নুশুনিব; আৰু তুমি তেওঁলোকক মাতিব, কিন্তু তেওঁলোকে তোমাক
উত্তৰ নিদিব। ২৮ তেতিয়া তুমি তেওঁলোকক ক'বা, 'এয়ে নিজ ঈশ্বৰ
যিহোৱাৰ বাক্য নুশুনা বা শাস্তি গ্ৰহণ নকৰা জাতি; বিশ্বস্ততা নষ্ট হ'ল,
আৰু এওঁলোকৰ মুখৰ পৰা তাক দূৰ কৰা হ'ল! ২৯ হে যিৰূচালেম
তোমাৰ চুলি কাটি পেলাই দিয়া; আৰু গছ-শূন্য পৰ্ব্বতবোৰত উঠি
বিলাপ কৰা। কিয়নো যিহোৱাই নিজ ক্ৰোধৰ পাত্ৰ এই বংশক অগ্ৰাহ্য
কৰিলে, পৰিত্যাগ কৰিলে। ৩০ কিয়নো, যিহোৱাই কৈছে, মোৰ
সাক্ষাতে যি কুচ্ছিত, যিহূদাৰ সন্তান সকলে তাকেই কৰিলে। মোৰ
নামেৰে প্ৰখ্যাত হোৱা গৃহটি অশুচি কৰিবৰ অৰ্থে তেওঁলোকে তাৰ
ভিতৰত নিজৰ ঘিণলগীয়া বস্তুবোৰ ৰাখিলে। ৩১ আৰু তেওঁলোকৰ
পো-জীসকলক জুইত পুৰিবলৈ হিন্নোমৰ পুতেকৰ উপত্যকাত থকা
তোফতৰ ওখ ঠাইবোৰ সাজিলে, ইয়াক মই আজ্ঞা কৰা নাছিলোঁ।
আৰু এই বিষয় মোৰ মনত উদয়ো হোৱা নাছিল। ৩২ যিহোৱাই কৈছে,
এই হেতুকে চোৱা, যি দিনা সেই ঠাই তোফত বা হিন্নোমৰ পুতেকৰ
উপত্যকা বুলি প্ৰখ্যাত নহব, কিন্তু হত্যাৰ উপত্যকা বুলি প্ৰখ্যাত হব,
এনে দিন আহিছে; কাৰণ সেইদিনা তোমালোকে তোফতত পুতিবলৈ
ঠাই নোহোৱালৈকে তাত মৰা শৱ পুতি থাকিব। ৩৩ তেতিয়া এই
জাতিৰ শৱ আকাশৰ চৰাইৰ আৰু পৃথিৱীৰ জন্তুবোৰৰ আহাৰ হ'ব,
সেইবোৰক কোনেও ভয় দেখুৱাই বাধা দিব নোৱাৰিব। ৩৪ তেতিয়া
মই যিহূদাৰ নগৰবোৰৰ পৰা আৰু যিৰূচালেমৰ আলিবোৰৰ পৰা
উল্লাসৰ ধ্বনি, আনন্দৰ ধ্বনি আৰু দৰা-কন্যাৰ ধ্বনি লুপ্ত কৰিম;
কিয়নো এই দেশ উচ্ছন্ন ঠাই হ'ব।'

৮ যিহোৱাই কৈছে, সেই দিনা শত্ৰূ যিহূদাৰ ৰজাসকলৰ, তাৰ
অধ্যক্ষসকলৰ, পুৰোহিতসকলৰ, ভাববাদীসকলৰ, আৰু যিৰূচালেম-
নিবাসীসকলৰ হাড়বোৰ তেওঁলোকৰ মৈদামৰ পৰা উলিয়াব। ২
তেওঁলোকে ভালপোৱা, সেৱা কৰা, পাছত চলা, বিচাৰা আৰু প্ৰণিপাত
কৰা সূৰ্য চন্দ্ৰ আদি আকাশ-মণ্ডলৰ আটাই বাহিনীৰ আগত তেওঁলোকে
সেই হাড়বোৰ মেলিব; সেইবোৰক গোটোৱা বা পাতা নহ'ব, সেইবোৰ
মাটিৰ ওপৰত সাৰস্বৰূপ হৈ থাকিব। ৩ বাহিনীসকলৰ যিহোৱাই
কৈছে, মই যি যি ঠাইলৈ এই দুষ্ট গোষ্ঠীৰ অৱশিষ্ট ভাগ কৰি খেদিলোঁ,
সেই সেই ঠাইত অৱশিষ্ট গোষ্ঠীৰ পক্ষে জীৱনতকৈ মৃত্যু বাঞ্ছনীয়
হ'ব। ৪ তুমি তেওঁলোকক আৰু এই কথা ক'বা, যিহোৱাই এই কথা
কৈছে: মানুহ পৰি জানো পুনৰায় নুঠিব? বা অপথে গৈ জানো আকৌ
উলটি নাহিব? ৫ তেন্তে কিয় যিৰূচালেমৰ এই জাতিয়ে বাট এৰি
নিত্যে বিপথগামী হৈ থাকে? তেওঁলোকে প্ৰতাৰণাত লাগি থাকি
উলটি আহিবলৈ অমান্তি হয়। ৬ মই কাণ পাতি শুনিলোঁ; তেওঁলোকে
যথাৰ্থ কথা নক'লে; "মই কি কৰিলোঁ?" এই বুলি কৈ কোনো মানুহে
নিজ দুষ্টতাৰ নিমিত্তে খেদ নকৰে, যুদ্ধলৈ অতি বেগেৰে লৰ মাৰি
যোৱা ঘোঁৰাৰ দৰে, তেওঁলোক প্ৰতিজনে নিজ নিজ পথলৈ ঘুৰে। ৭
আকাশত ফুৰা হাড়গিলাই নিজৰ নিৰূপিত সময় বুজে, আৰু কপৌ,
তেলটুপি আৰু বগলীয়ে নিজ নিজ অহাৰ কাল পালন কৰে; কিন্তু
মোৰ প্ৰজাসকলে যিহোৱাৰ শাসন নাজানে। ৮ "আমি জ্ঞানী, আৰু
যিহোৱাৰ ব্যৱস্থা আমাৰ লগত আছে", এই বুলি তোমালোকে কেনেকৈ
ক'ব পাৰা? কিন্তু চোৱা! লিখকসকলৰ মিছাকৈ লিখা লিখনীয়ে
তাক মিছা কৰি পেলালে। ৯ জ্ঞানীসকলে লাজ পাইছে, তেওঁলোক
ব্যাকুল হৈ ধৰা পৰিল; চোৱা, তেওঁলোকে যিহোৱাৰ বাক্য অগ্ৰাহ্য
কৰিলে, তেন্তে তেওঁলোকৰ জ্ঞান কেনে ধৰণৰ? ১০ সেই কাৰণে মই
তেওঁলোকৰ পত্নিসকলক আনৰ হাতত শোধাই দিম, আৰু আন আন
অধিকাৰীসকলক তেওঁলোকৰ খেতিবোৰ দিম, কিয়নো সৰুৰ পৰা
বৰলৈকে প্ৰতিজন অতি লোভীয়া! ভাববাদীৰ পৰা পুৰোহিতলৈকে
প্ৰতিজনে প্ৰবঞ্চনা কাৰ্য কৰে। ১১ যেতিয়া কোনো শান্তি নাই, তেতিয়া

তেওঁলোকে শান্তি শান্তি বুলি কৈ মোৰ প্ৰজাসকলৰ ঘা সামান্যৰূপে সুস্থ
কৰিলে। ১২ তেওঁলোকে ঘিণলগীয়া কাৰ্য কৰাত লাজ পাওঁক ছাৰি
তেওঁলোকে মুখ বিবৰ্ণ কৰিবলৈকে জনা নাই? এই কাৰণে তেওঁলোক
পতিত হোৱা লোকসকলৰ মাজত পতিত হ'ব; যিহোৱাই কৈছে, মই
তেওঁলোকক দণ্ড দিয়া সময়ত তেওঁলোকে উজুটি খায় পৰিব। ১৩
যিহোৱাই কৈছে, মই তেওঁলোকক একত্ৰিত কৰিম। দ্ৰাক্ষালতাত
দ্ৰাক্ষাগুটি বা ডিমৰু গছত গুটি নাথাকিব, আৰু পাত জঁয় পৰিব, আৰু
মই তেওঁলোকৰ কাৰণে আক্ৰমণকাৰীসকলক নিৰূপণ কৰিম। ১৪
"আমি কিয় বহি থাকোঁ? আহাঁ, আমি একে লগ হৈ গড়েৰে আবৃত
নগৰত সোমাওঁ, আৰু তাত নিজম দি থাকোঁ, কিয়নো আমাৰ ঈশ্বৰে
আমাৰ মুখ বন্ধ কৰিলে, আৰু বিহ গছৰ ৰস পান কৰালে, কাৰণ আমি
যিহোৱাৰ বিৰুদ্ধে পাপ কৰিলোঁ। ১৫ আমি শান্তিৰ আশা কৰিছিলোঁ,
কিন্তু মঙ্গল নহ'ল; আৰু সুস্থৰ সময়লৈ বাট চাইছিলোঁ, কিন্তু চোৱা, ত্ৰাস
উপস্থিত।" ১৬ দানৰ পৰা শত্ৰু ঘোঁৰাবোৰৰ নাকৰ শব্দ শুনা গৈছে?
তাৰ বলৱান ঘোঁৰাবোৰৰ ঢেকঢেকনিত গোটেই দেশ কঁপিছে; কিয়নো
সিহঁতে আহি দেশ আৰু তাৰ মাজত থকা সকলো বস্তু, নগৰ আৰু তাৰ
নিবাসীসকলক গ্ৰাস কৰিছে। ১৭ কিয়নো চোৱা, মই তোমালোকৰ
মাজলৈ মন্ত্ৰ নমনা সৰ্প, কালসৰ্পবোৰ পঠিয়াম; যিহোৱাই কৈছে,
সেইবোৰে তোমালোকক দংশিব। ১৮ অহ, মই দুখ-নিবাৰক শান্তনা
পোৱা হ'লে, কেনে ভাল আছিল! মোৰ হৃদয় মোৰ অন্তৰত অতি দুৰ্ব্বল
হৈছে। ১৯ চোৱা! অতি দূৰ দেশৰ পৰা মোৰ জাতিস্বৰূপা জীয়াৰীৰ
কাতৰোক্তিৰ স্বৰ শুনা গৈছে। যিহোৱা চিয়োনত নাই নে? তাৰ ৰজা
তাৰ ভিতৰত নাই নে? তেওঁলোকে কটা প্ৰতিমা আৰু বিজাতীয় অসাৰ
বস্তুবোৰৰ দ্বাৰাই মোক কিয় বেজাৰ দিছে? ২০ শস্য দোৱাৰ সময়
অতীত হল; গুটি পৰিবৰ সময় শেষ হ'ল, কিন্তু আমি পৰিত্ৰাণ পোৱা
নাই। ২১ মোৰ জাতিস্বৰূপা জীয়াৰীৰ আঘাতৰ কাৰণে মই অতিশয়
আঘাতিত হৈছোঁ, মই শোক কৰিছোঁ, বিচুৰ্ত্তি খাইছোঁ। ২২ গিলিয়দ
প্ৰদেশত জানো ঘা সুস্থ কৰা গছৰস নাই? বা তাত জানো চিকিৎসক
নাই? তেন্তে মোৰ জাতিস্বৰূপা জীয়াৰীৰ ঘা কিয় সুস্থ হোৱা নাই?

৯ মোৰ মূৰ জলময়, আৰু মোৰ চকু দুটা চকু-লোৰ ভুমুকস্বৰূপ হোৱা
হ'লে! কেনে ভাল আছিল, অহ, মোৰ জাতিস্বৰূপা জীয়াৰীৰ হত
হোৱাসকলৰ বাবে দিনে ৰাতিয়ে ক্ৰন্দন কৰিব পাৰিলেহেঁতেন। ২
অহ, মোৰ জাতি এৰি তেওঁলোকৰ পৰা আঁতৰি যাবৰ বাবে, অৰণ্যত
পথিকসকলৰ ৰাতি থকা ঠাই মোৰ হোৱা হ'লে কেনে ভাল আছিল!
কিয়নো তেওঁলোক সকলোৱেই ব্যভিচাৰী, বিশ্বাসঘাতক লোকৰ
সমাজ। ৩ আৰু তেওঁলোকে নিজৰ জিভাৰূপ ধনুত নিজৰ মিছা
কথাস্বৰূপ বাণ জোৰে, আৰু দেশত পৰাক্ৰমী হয়, কিন্তু সত্যৰ বাবে
নহয়। কিয়নো তেওঁলোকে এক দুষ্টতাৰ পৰা আন দুষ্টতালৈ আগ
বাঢ়ি যায় আৰু যিহোৱাই কৈছে, তেওঁলোকে মোক হ'লে নাজানে। ৪
তোমালোক প্ৰতিজনে নিজ নিজ ওচৰ-চুবুৰীয়াৰ বিষয়ে সাৱধান হোৱা,
আৰু কোনো ভাইক বিশ্বাস নকৰিবা; কিয়নো প্ৰতিজন ভায়ে সম্পূৰ্ণকৈ
ঠগায় আৰু প্ৰতিজন চুবুৰীয়াই কথা চৰ্চ্চি ফুৰে। ৫ আৰু প্ৰতিজনে নিজ
নিজ ওচৰ-চুবুৰীয়াক প্ৰবঞ্চনা কৰে, সত্য নহয়; তেওঁলোকে মিছা
কথা কবলৈ নিজ নিজ জিভাক শিকালে; তেওঁলোকে অপৰাধ কৰি
নিজকে নিজে ভাগৰ লগায়। ৬ তোমাৰ বসতিৰ ঠাই ছলৰ মাজত
আছে; যিহোৱাই কৈছে, তেওঁলোকে ছলৰ কাৰণে মোক জানিবলৈ
অমান্তি হয়। ৭ এই হেতুকে বাহিনীসকলৰ যিহোৱাই এই কথা
কৈছে: চোৱা, মই তেওঁলোকক গলাই পৰীক্ষা কৰিম আৰু নিৰীক্ষণ
কৰিম; কিয়নো মোৰ জাতিস্বৰূপা জীয়াৰীৰ কাৰণে মই আন কি
কৰিব পাৰোঁ? ৮ তেওঁলোকৰ জিভা প্ৰাণনাশক বাণস্বৰূপ, সেয়ে
ছলৰ কথা কয়; তেওঁলোক প্ৰতিজনে মুখেৰে ওচৰ-চুবুৰীয়াৰ লগত
শান্তিৰ কথা কয়, কিন্তু অন্তৰত তাৰ বাবে খাপ দি থাকে। ৯ যিহোৱাই
কৈছে, মই তেওঁলোকক এইবোৰৰ কাৰণে দণ্ড নিদিম নে? মোৰ
প্ৰাণে এনে জাতিৰ প্ৰতিকাৰ নাসাধিব নে? ১০ মই পৰ্ব্বতবোৰৰ
কাৰণে ক্ৰন্দন আৰু হাহাঁকাৰ কৰিম, আৰু অৰণ্যৰ চৰণীয়া ঠাইৰ
কাৰণে বিলাপ কৰিম। কিয়নো সেইবোৰৰ মাজেদি কোনেও যাব
নোৱাৰাকৈ সেইবোৰ দগ্ধ হ'ল, পশুৰ মাত তাত শুনা নাযায়, আকাশৰ
চৰাইবোৰ আৰু পশুবোৰো পলাই গুচি গ'ল। ১১ মই যিৰূচালেমক

ভগ্নৰাশি, শিয়ালৰ বাসস্থান কৰিম। আৰু মই যিহূদাৰ নগৰবোৰ
নিবাসী-শূন্য ধ্বংসস্থান কৰিম। ১২ সেই সকলো বুজিব পৰা কোন
জ্ঞানী লোক আছে? আৰু তাক প্ৰকাশ কৰিবৰ বাবে যিহোৱাই যাৰ
আগত নিজ মুখে কৈছিল? এনে কোন মানুহ আছে? এই দেশৰ
মাজেদি কোনেও যাব নোৱাৰাকৈ এয়ে কিয় বিনষ্ট আৰু মৰুভুমিৰ
নিচিনা দগ্ধ হল? ১৩ যিহোৱাই কৈছে, ‘কাৰণ এই, মই তেওঁলোকৰ
আগত স্থাপৰ কৰা মোৰ ব্যৱস্থা তেওঁলোকে ত্যাগ কৰিলে, আৰু মোৰ
বাক্যলৈ কাণ নিদিলে, বা তাত নচলিলে। ১৪ কিন্তু নিজ মনৰ কঠিনতা
অনুসাৰে আৰু তেওঁলোকৰ পূৰ্বপুৰুষসকলে তেওঁলোকক শিকোৱা
বাল দেৱতাবোৰৰ পাছত চলিলে। ১৫ এই হেতুকে ইস্ৰায়েলৰ ঈশ্বৰ
বাহিনীসকলৰ যিহোৱাই এই কথা কৈছে: চোৱা, মই এই লোকসকলক
নাগদানা ভোজন কৰোৱাম, আৰু বিহ গছৰ ৰস পান কৰোৱাম।
১৬ তেওঁলোকে বা তেওঁলোকৰ পূৰ্বপুৰুষসকলে নজনা জাতি সমূহৰ
মাজত মই তেওঁলোকক ছিন্ন-ভিন্ন কৰিম; আৰু মই তেওঁলোকক
সংহাৰ নকৰোঁমানলৈকে, তেওঁলোকৰ পাছে পাছে তৰোৱাল পঠিয়াম।
১৭ বাহিনীসকলৰ যিহোৱাই এই কথা কৈছে: তোমালোকে বিবেচনা
কৰা; বিলাপ-কাৰিণীহঁতক মাতা, তেওঁলোক আহক; বিলাপ কৰাত
নিপুণ মহিলাসকলৰ ওচৰলৈ মানুহ পঠিওৱা, তেওঁলোক আহক। ১৮
তেওঁলোকে খৰকৈ আহি আমাৰ কাৰণে হাহাঁকাৰ কৰ’ক, যাতে চকু-
লোত আমাৰ চকু উটি যাবৰ বাবে, আৰু আমাৰ চকুৰ পিৰঠিয়েদি
বেগেৰে পানী ওলাই যায়। ১৯ কিয়নো চিয়োনৰ পৰা হাহাঁকাৰ শব্দ
শুনা গৈছে, আমি কেনে বিনষ্ট হ’লো! আমি দেশ ত্যাগ কৰা বাবে,
তেওঁলোকে আমাৰ নিবাসবোৰ ভাঙি পেলোৱাৰ কাৰণে আমি অতি
ব্যাকুল হ’লো। ২০ তথাপি হে মহিলাসকল, যিহোৱাৰ বাক্য শুনা: আৰু
তোমালোকৰ কাৰণে তেওঁৰ মুখৰ বাক্য মনোযোগেৰে গ্ৰহণ কৰা।
আৰু তোমালোকে নিজ নিজ জীয়েৰাসকলক হাহাঁকাৰ কৰিবলৈ শিক্ষা
দিয়া, আৰু তোমালোক প্ৰত্যেকে নিজ নিজ ওচৰ-চুবুৰীয়াক বিলাপ
কৰিবলৈ শিকোৱা। ২১ কিয়নো মৃত্যুৱে বাহিৰত লৰাহঁত আৰু চকত
ডেকাসকল উচ্ছন্ন কৰিলে। খিড়িকিয়েদি উঠি আমাৰ অট্টালিকাবোৰত

সোমাল। ২২ তুমি কোৱা, যিহোৱাই এইদৰে কৈছে: লোকসকলৰ
শৱ সাৰৰ দৰে পৰি থাকিব, আৰু দাওঁতাৰ পাছত এৰি যোৱা মুঠিৰ
দৰেই পথাৰত পৰি থাকিব; কোনেও সেইবোৰ নোগোটাব। ২৩
যিহোৱাই এই কথা কৈছে: জ্ঞানীয়ে নিজ জ্ঞানত গৌৰৱ নকৰক, বীৰে
নিজ পৰাক্ৰমত, আৰু ধনীয়ে নিজ ধনত গৌৰৱ নকৰক। ২৪ কিন্তু
যি জনে গৌৰৱ কৰে, তেওঁ ইয়াতহে গৌৰৱ কৰে, যে, তেওঁ মোৰ
বিষয়ে বুজে আৰু জানে, যে মই পৃথিৱীত দয়া, বিচাৰ আৰু ধাৰ্মিকতা
সিদ্ধ কৰোঁতা যিহোৱা; কিয়নো এইবোৰত মই সন্তোষ পাওঁ, ইয়াক
যিহোৱাই কৈছে। ২৫ যিহোৱাই কৈছে, চোৱা, এনে দিন আহিছে, যে,
সেই দিনা মই চুন্নৎ হোৱাসকলক অচুন্নৎ বুলি দণ্ড দিম। ২৬ মই মিচৰ,
যিহূদা, ইদোম, অম্মোনৰ সন্তান সকল, মোৱাব আৰু কুমৰ গুড়িত
ডাঢ়ি-চুলি কটা অৰণ্য-নিবাসী লোকসকলক দণ্ড দিম। কিয়নো সেই
আটাই জাতি সমূহ অচুন্নৎ, আৰু ইস্ৰায়েলৰ গোটেই বংশ হৃদয়পালটন
কৰা লোক নহয়।"

১০ হে ইস্ৰায়েল বংশ, যিহোৱাই তোমালোকক যি কথা ঘোষণা
কৰিছে, তাক শুনা। ২ যিহোৱাই এইদৰে কৈছে: তোমালোকে বিভিন্ন
জাতিৰ ব্যৱহাৰ নিশিকিবা, আৰু আকাশ-মণ্ডলৰ নানা অদ্ভুত লক্ষণ
দেখি ব্যাকুল নহবা; কাৰণ বিভিন্ন জাতিয়েহে সেইবোৰ দেখি ব্যাকুল
হয়। ৩ কিয়নো জাতিবোৰৰ ৰীতি-নীতিবোৰ অসাৰ। কাৰণ এজন
মানুহে কাঠনিৰ পৰা এডাল গছ কাটি উলিয়ায়; সেয়ে কুঠাৰেৰে
কৰা মানুহৰ হাতৰ কাৰ্য হৈ উঠে। ৪ তেতিয়া তেওঁলোকে তাক ৰূপ
আৰু সোণেৰে অলংকৃত কৰে। আৰু সেয়ে নপৰিবৰ বাবে হাতুৰীৰে
গজাল মাৰি তাক মজবুত কৰে। ৫ সেইবোৰ শিল্পকাৰে খাজুৰ
গছৰ আকৃতিৰে কুন্দত কটা কাঠৰ নিচিনা, আৰু কথা কব নোৱাৰে।
সেইবোৰক বৈ নিব লগীয়া হয়, কাৰণ সেইবোৰে খোজ কাঢ়িব
নোৱাৰে। তোমালোকে সেইবোৰলৈ ভয় নকৰিবা; কাৰণ সেইবোৰে
কোনো পাপ কৰিব নোৱাৰে আৰু হিত কৰিবলৈকো সেইবোৰৰ
সাধ্য নাই। ৬ হে যিহোৱা, তোমাৰ তুল্য কোনো নাই। তুমি মহান,
আৰু তোমাৰ নাম পৰাক্ৰমত মহৎ। ৭ হে জাতিবোৰৰ মহাৰাজ,

তোমাক কোনে ভয় নকৰিব? কিয়নো সেয়ে তোমাৰে বাবে উপযুক্ত,
কাৰণ জাতিবোৰৰ সকলো জ্ঞানী লোকৰ মাজত আৰু তেওঁলোকৰ
সকলো ৰাজ্যৰ মাজত তোমাৰ তুল্য কোনো নাই। ৮ কিন্তু তেওঁলোক
সম্পূৰ্ণকৈ পশুতুল্য আৰু নিৰ্ব্বোধ; মূৰ্ত্তিবোৰৰ শিক্ষা লোৱা এডোখৰ
কাঠ মাথোন। ৯ তৰ্চীচৰ পৰা শিল্পকাৰৰ আৰু সোণাৰীৰ হাতে কৰা
পতা-ৰূপ আৰু উফজৰ পৰা সোণ তেওঁলোকে আনে, সেইবোৰৰ
পৰিধান-বস্ত্ৰ নীল আৰু বেঙেনা বৰনীয়া সুতাৰে কৰা; সেই আটাইবোৰ
নিপুণ মানুহৰ কাৰ্য। ১০ কিন্তু যিহোৱা সত্য ঈশ্বৰ। তেওঁ জীৱন্ত
ঈশ্বৰ, আৰু অনন্তকাল স্থায়ী ৰজা। তেওঁৰ ক্ৰোধত পৃথিৱী কঁপে,
আৰু জাতিবোৰে তেওঁৰ কোপ সহিব নোৱাৰে। ১১ তোমালোকে
তেওঁলোকক এই কথা কোৱা, ‘যি দেৱতাবোৰে আকাশ-মণ্ডল স্ৰজন
কৰা নাই, সেইবোৰ পৃথিৱীৰ পৰা, আকাশ-মণ্ডলৰ তলৰ পৰা উচ্ছন্ন
হব।’ ১২ তেওঁ নিজ শক্তিৰে, পৃথিৱী স্ৰজন কৰিলে, নিজ জ্ঞানেৰে
জগত স্থাপন কৰিলে, আৰু নিজ বুদ্ধিৰে আকাশ-মণ্ডল বিস্তাৰ কৰিলে।
১৩ তেওঁ মাত লগালে আকাশ-মণ্ডলৰ জল সমূহৰ কোলাহল হয়, আৰু
তেওঁ পৃথিৱীৰ অন্ত ভাগৰ পৰা ভাপবোৰ তোলে। তেওঁ বৃষ্টিৰ কাৰণে
বিজুলি স্ৰজে আৰু নিজ ভঁৰালৰ পৰা বতাহ বাহিৰ কৰি আনে। ১৪
প্ৰতিজন মানুহ পশুতুল্য আৰু জ্ঞান-শূন্য, প্ৰতিজন সোণাৰী আৰু কটা-
প্ৰতিমাৰ দ্বাৰাই লজ্জিত হয়। কাৰণ তাৰ সাঁচত ঢলা মূৰ্ত্তিবোৰ মিছা;
সেইবোৰৰ ভিতৰত কোনো নিশ্বাস-প্ৰশ্বাস নাই। ১৫ সেইবোৰ ভাপ
আৰু প্ৰবঞ্চনাৰ কাৰ্য মাথোন; দণ্ড দিয়াৰ সময়ত সেইবোৰ বিনষ্ট হব।
১৬ যাকোবৰ অংশ সেইবোৰৰ দৰে নহয়; কাৰণ তেওঁ সকলোৰে
নিৰ্মাণকৰ্ত্তা। আৰু ইস্ৰায়েল তেওঁৰ আধিপত্যৰ ফৈদ; বাহিনীসকলৰ
যিহোৱা তেওঁৰ নাম। ১৭ হে অৱৰুদ্ধ নগৰ-নিবাসিনী, তোমাৰ বস্তু-
বাহানি গোটাই লৈ এই ঠাইৰ পৰা আঁতৰি যোৱা। ১৮ কিয়নো
যিহোৱাই এই কথা কৈছে: চোৱা, মই এইবাৰ দেশ নিবাসীসকলক
ফিঙ্গাৰ শিলৰ নিচিনাকৈ দলিয়াই পেলাম, আৰু তেওঁলোকৰ মনত
লগাকৈ তেওঁলোকক দুখ দিম।’ ১৯ হায় হায়, মই কেনে ভগ্ন হলোঁ!
মোৰ ঘা অতি কষ্টদায়ক। তথাপি মই ক’লোঁ, ‘এয়ে মোৰ ৰোগ,

মই তাক সহিবই লাগিব। ২০ মোৰ তম্বু নষ্ট হ’ল, মোৰ সকলো
ৰছী ছিগি গ’ল। তেওঁলোকে মোৰ পোঁহতক মোৰ পৰা আঁতৰাই
নিলে, তেওঁলোক আৰু জীয়াই নাথাকিব। মোৰ তম্বু আকৌ তৰিবলৈ,
আৰু মোৰ তম্বুৰ কাপোৰ তুলিবলৈ আৰু কোনো নাই। ২১ কিয়নো
ৰখীয়াসকল পশু-তুল্য হ’ল। আৰু তেওঁলোকে যিহোৱাক নিবিচাৰিলে।
এই কাৰণে তেওঁলোকে মঙ্গল পোৱা নাই; তেওঁলোকৰ আটাই জাক
গোট গোট হৈ গ’ল। ২২ চোৱা! খবৰৰ গোচৰবোৰ আহি পৰিছে: উত্তৰ
দিশৰ পৰা এক ভয়ানক ভূমিকম্প আহি আছে! যিহূদাৰ নগৰবোৰক
ধ্বংসস্থান আৰু শিয়ালৰ বাসস্থান কৰিবলৈ। ২৩ হে যিহোৱা, মই
জানো যে, মানুহৰ গতি নিজ অধিকাৰত নাথাকে। নিজ খোজ স্থিৰ
কৰিবলৈ খোজ চলাওঁতা জনাৰ শক্তি নাই। ২৪ হে যিহোৱা, মোক
কেৱল ন্যায়েৰে শুধৰোৱা, কিন্তু ক্ৰোধেৰে নহয়; নহলে, মোক গ্ৰাস
কৰিব। ২৫ যি জাতিবোৰে তোমাক নাজানে, আৰু যি গোষ্ঠিবোৰে
তোমাৰ নামত প্ৰাৰ্থনা নকৰে, তেওঁলোকৰ ওপৰত তোমাৰ ক্ৰোধ
ঢালা। কিয়নো তেওঁলোকে যাকোবক গ্ৰাস কৰিলে, আৰু তাৰ বাসস্থান
ধ্বংস কৰিলে।”

১১ যিৰিমিয়ালৈ যিহোৱাৰ পৰা এই বাক্য আহিল, বোলে, ২
“তোমালোকে এই নিয়মটিৰ বাক্য শুনা, যিহূদাৰ লোকসকলক ও
যিৰূচালেম-নিবাসীসকলক কোৱা। ৩ তুমি তেওঁলোকক কোৱা,
‘ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাই এইদৰে কৈছে: যি কোনোৱে এই নিয়মটিৰ
প্ৰতি কাণ নিদিয়ে, সেই প্ৰতিজনেই অভিশপ্ত। ৪ তোমালোকৰ
পূৰ্বপুৰুষসকলক আজ্ঞা কৰা এই নিয়মটিৰ বাক্য, যি দিনাখন অগ্নি-
কুণ্ডস্বৰূপ মিচৰ দেশৰ পৰা তেওঁলোকক উলিয়াই আনিছিলো। মই
ক’লো, “শুনা, মোৰ বাক্য পালন কৰা আৰু মই তোমালোকক দিয়া
সকলো আজ্ঞা অনুসাৰে কাৰ্য কৰা, তেতিয়া তোমালোকে মোৰ প্ৰজা
হ’বা আৰু মই তোমালোকৰ ঈশ্বৰ হ’ম।” ৫ মোৰ বাক্য শুনা যাতে
আজি-কালি তোমালোকে বাস কৰা গাখীৰ, মৌজোল বোৱা এই দেশ
তোমালোকৰ পূৰ্বপুৰুষসকলক দিবলৈ যি শপত কৰিছিলোঁ।’ তেতিয়া
মই উত্তৰ দি ক’লো, ‘হয়, যিহোৱা!’ ৬ আৰু যিহোৱাই মোক ক’লে,

‘যিহূদাৰ নগৰবোৰত, আৰু যিৰূচালেমৰ আলিবোৰত এই সকলো বাক্য
ঘোষণা কৰি কোৱা, “তোমালোকে এই নিয়মটিৰ বাক্যলৈ কাণ দিয়া,
আৰু ইয়াক পালন কৰা।” ৭ কিয়নো ‘মোৰ বাক্যলৈ কাণ দিয়া’ বুলি
কৈ, মিচৰ দেশৰ পৰা তোমালোকৰ পূৰ্বপুৰুষসকলক উলিয়াই আনিবৰ
দিনা মই অতি যত্নেৰে সাক্ষ্য দিছিলোঁ, আৰু আজিলৈকে প্ৰত্যেকে উঠি
সাক্ষ্য দি আছোঁ। ৮ তথাপি তেওঁলোকে পালন নকৰিলে, বা কাণ
নাপাতিলে। কিন্তু তেওঁবিলাক প্ৰতিজনে নিজ নিজ দুষ্ট মনৰ কঠিনতা
অনুসাৰে চলিলে; এই হেতুকে এই নিয়মটিৰ যিবোৰ বাক্য পালন
কৰিবলৈ মই তেওঁলোকক আজ্ঞা দিছিলোঁ, কিন্তু তেওঁলোকে নকৰিলে,
সেই আটাইবোৰ অভিশপ্ত বাক্য মই তেওঁলোকৰ ওপৰত ঘটালোঁ’।” ৯
পাছে যিহোৱাই মোক ক’লে, “যিহূদাৰ লোকসকলক আৰু যিৰূচালেম-
নিবাসীসকলৰৰ ভিতৰত চক্ৰান্ত পোৱা গৈছে। ১০ তেওঁলোকে
মোৰ বাক্য শুনিবলৈ অস্বীকাৰ কৰা তেওঁলোকৰ পূৰ্বপুৰুষসকলৰ
অপৰাধবোৰলৈ ঘূৰিল, আৰু দেৱপূজা কৰিবলৈ ইতৰ দেৱতাবোৰৰ
পাছত গল; ইস্ৰায়েল আৰু যিহূদা বংশই তেওঁলোকৰ পূৰ্বপুৰুষসকলৰ
লগত মই স্থাপন কৰা নিয়মটি ভাঙিলে।” ১১ এই হেতুকে যিহোৱাই
এইদৰে কৈছে: “চোৱা, তেওঁলোকে সাৰিব নোৱাৰা অমঙ্গল মই
তেওঁলোকলৈ ঘটাম। তেতিয়া তেওঁলোকে মোৰ আগত কাতৰোক্তি
কৰিব, কিন্তু মই তেওঁলোকৰ কথা নুশুনিম। ১২ তেতিয়া যিহূদাৰ
নগৰবোৰৰ লোকে আৰু যিৰূচালেম নিবাসীসকলে গৈ, তেওঁলোকে ধূপ
জ্বলোৱা দেৱতাবোৰৰ আগত কাতৰোক্তি কৰিব, কিন্তু সেইবোৰে
তেওঁলোকৰ আপদৰ সময়ত তেওঁলোকক সমূলি ত্ৰাণ কৰিব নোৱাৰিব।
১৩ কিয়নো হে যিহূদা, তোমাৰ নগৰ যিমান, তোমাৰ দেৱতা সিমানেই
বাঢ়িল। আৰু যিৰূচালেমৰ আলি যিমান, লজ্জাজনক বস্তুৰ উদ্দেশ্যে,
এনে কি, বালৰ কাৰণে ধূপ জ্বলাবলৈ তোমালোকে সিমান যজ্ঞ-বেদি
স্থাপন কৰিলা। ১৪ এই হেতুকে যিৰিমিয়া, তুমি নিজে এই জাতিৰ
বাবে প্ৰাৰ্থনা নকৰিবা। তেওঁলোকৰ বাবে নিবেদন কি প্ৰাৰ্থনা উৎসৰ্গ
নকৰিবা। কিয়নো তেওঁলোকে নিজৰ আপদৰ কাৰণে মোৰ আগত
কাতৰোক্তি কৰা সময়তো মই নুশুনিম। ১৫ মোৰ গৃহত মোৰ প্ৰিয়াৰ

কি কাৰ্য, কিয়নো তাই অনেক লোকে সৈতে ব্যভিচাৰ কৰিলে? আৰু
তোমাৰ পৰা পবিত্ৰ মাংস গ'ল; যেতিয়া তুমি দুষ্কৰ্ম কৰা, তেতিয়া
তুমি উল্লাস কৰি থাকা। ১৬ পূৰ্বতে যিহোৱাই তোমাক 'উত্তম ফলেৰে
শোভিত কেঁচাপতীয়া জিতগছ" এই নাম দিলে।' তেওঁ মহা-কোলাহলৰ
শব্দেৰে সৈতে তোমাৰ ওপৰত জুই জ্বলালে, আৰু তাৰ ডালবোৰ
ভগ্ন হ'ল। ১৭ কিয়নো বালৰ উদ্দেশ্যে ধূপ জ্বলাই মোক বেজাৰ
দিবৰ অৰ্থে যিহূদা আৰু ইস্ৰায়েল বংশই নিজৰ বিৰুদ্ধে যি দুষ্কৰ্ম
কৰিছিল, তাৰ কাৰণে তোমাক ৰোপণ কৰা বাহিনীসকলৰ যিহোৱাই
তোমাৰ বিৰুদ্ধে অমঙ্গল প্ৰকাশ কৰিলে। ১৮ আৰু যিহোৱাই মোক
তাৰ বিষয়ে জ্ঞান দিয়াত মই তাক জানিবলৈ পালোঁ। সেই সময়ত
তুমি মোক তেওঁলোকৰ কাৰ্য দেখুৱালা। ১৯ কিন্তু মই, বধ কৰিবলৈ
নিয়া মৰমৰ মেৰ-ছাগ পোৱালিৰ দৰে আছিলোঁ; আৰু 'ফলে সৈতে
গছডাল কাটোহঁক', তেওঁৰ নাম সোঁৱৰণ আৰু নহবৰ কাৰণে আমি
জাতিবোৰৰ দেশৰ পৰা তাক উচ্ছন্ন কৰোঁহক বুলি কৈ তেওঁলোকে
যে মোৰ বিৰুদ্ধে কু-আলচ পাতিছিল, তাক মই জনা নাছিলোঁ। ২০
কিন্তু ধাৰ্মিকতাৰে বিচাৰ কৰোঁতা, অন্তৰ আৰু হৃদয় পৰীক্ষা কৰোঁতা
হে বাহিনীসকলৰ যিহোৱা, তেওঁলোকৰ ওপৰত তুমি সাধা প্ৰতিকাৰ
মোক দেখিবলৈ দিয়া। কিয়নো মই তোমাৰ আগতেই মোৰ গোচৰ
সোধালোঁ। ২১ এই হেতুকে অনাথোতৰ লোকসকলৰ বিষয়ে যিহোৱাই
এই কথা কৈছে, তেওঁলোকে তোমাৰ প্ৰাণ বিচাৰি কয়, যে, যিহোৱাৰ
নামেৰে ভববাণী প্ৰচাৰ নকৰিবা, কৰিলে তুমি আমাৰ হাতত মৰা
পৰিবা।' ২২ এই হেতুকে বাহিনীসকলৰ যিহোৱাই এইদৰে কৈছে,
চোৱা, মই তেওঁলোকক দণ্ড দিম। ডেকাবোৰ তৰোৱালত আঘাতিত
হৈ মৰিব। তেওঁলোকৰ পো-জীসকল আকালত মৃত্যু হ'ব। ২৩ আৰু
তেওঁলোকৰ কোনো অৱশিষ্ট নাথাকিব। কিয়নো মই অনাথোতৰ
লোকসকললৈ অমঙ্গল ঘটাম, এনে কি, তেওঁলোকক দণ্ড দিয়াৰ বছৰ
উপস্থিত কৰিম।"

**১২** "হে যিহোৱা, তুমি ধাৰ্মিক, তথাপি তোমাৰ লগত মোক প্ৰতিবাদ
কৰিবলৈ দিয়া, বিচাৰৰ সম্পৰ্কে মোক তোমাৰ লগত কেৱল কথা

কৰলৈ দিয়া। “দুষ্টবোৰৰ পথ কিয় উন্নত হয়? অতি বিশ্বাস-ঘাতকবোৰ
কিয় শান্তিৰে থাকে? ২ তুমি তেওঁলোকক ৰোপন কৰিলা, এনে কি,
তেওঁলোক শিপালে। তেওঁলোক বাঢ়িছে, এনে কি, ফলো ধৰিছে;
তুমি তেওঁলোকৰ মুখৰ বাক্যত ওচৰ, কিন্তু তেওঁলোকৰ হৃদয়ৰ পৰা
দূৰ। ৩ কিন্তু হে যিহোৱা, তুমি হ'লে মোক জানি আছা। মোক দেখিও
আছা, আৰু তোমালৈ মোৰ মন কেনে, তাক পৰীক্ষাও কৰিছা। বধ
কৰিবৰ কাৰণে উলিওৱা মেৰ-ছাগৰ দৰে তেওঁলোকক টানি উলিওৱা,
আৰু হত্যা দিনৰ কাৰণে তেওঁলোকক পৃথক কৰি ৰাখা। ৪ কিমান
দিন দেশে শোক কৰিব, আৰু সমস্ত দেশৰ তৃণ শুকাই থাকিব?
নিবাসীসকলৰ দুষ্টতাৰ বাবে পশু আৰু পক্ষীবোৰ সংহাৰ হৈছে; কাৰণ,
আমাৰ অন্তিম কাল কোনেও নেদেখিব বুলি তেওঁলোকে কৈছে। ৫
তুমি পদাতিকসকলকৰ লগত লৰ মাৰিলে, তেওঁলোকে যদি তোমাক
ক্লান্ত কৰে, তেন্তে ঘোঁৰাৰ লগত লৰ মাৰি কেনেকৈ জিকিবা? আৰু
যদিও তুমি শান্তিৰ দেশত নিৰাপদে থাকা, তথাপি যৰ্দ্দনৰ শোভাস্বৰূপ
অৰণ্যত কি কৰিবা? ৬ কিয়নো তোমাৰ ভাইসকলে, তোমাৰ পিতৃ-
বংশয়েই তোমালৈ বিশ্বাস-ঘাতকতা কৰিছে, এনে কি, তেওঁলোকে
তোমাক ধৰ ধৰ বুলি বৰকৈ চিঞৰিছে। তেওঁলোকে তোমাক ভাল
কথা ক'লেও, তেওঁলোকৰ কথাত প্ৰত্যয় নকৰিবা। ৭ মই মোৰ গৃহ
ত্যাগ কৰিলোঁ; মোৰ আধিপত্য এৰি দিলোঁ। মই মোৰ প্ৰাণৰ প্ৰিয়াক
শত্ৰূ হাতত শোধাই দিলোঁ। ৮ মোৰ পক্ষে মোৰ আধিপত্য কাঠনিত
থকা সিংহৰ দৰে হ'ল; সি মোৰ বিৰুদ্ধে গুজৰিছে, সেই কাৰণে মই
তাক ঘিণ কৰিলোঁ। ৯ মোৰ আধিপত্য মোৰ কাৰণে ফুটুকা-ফুটুকী
চৰাইৰ নিচিনা নহয় নে? তাৰ চাৰিওফালে চিকাৰী চৰাইবোৰ নাই
নে? তোমালোকে যোৱা, মোৰ আদিপত্য ভোজন কৰিবলৈ বনৰীয়া
পশু আটাইবোৰ গোটাই আনাগৈ। ১০ অনেক মেৰ-ছাগৰখীয়াই মোৰ
দ্ৰাক্ষাবাৰী নষ্ট কৰিলে, মোৰ ভাগ ভৰিৰ তলত মোহাৰিলে; মোৰ
সন্তোষজনক ভাগ ধ্বংস-অৰণ্য কৰিলে। ১১ তেওঁলোকে তাক উচ্ছন্ন
ঠাই কৰিলে, সেয়ে ধ্বংস হৈ মোৰ আগত বিলাপ কৰিছে; সমুদায়
দেশ উচ্ছন্ন হ'ল, কাৰণ কোনেও মনোযোগ কৰা নাই। ১২ অৰণ্যত

থকা গছশূন্য পৰ্ব্বতবোৰৰ ওপৰলৈকে ধ্বংসকাৰীসকল গ'ল; কিয়নো
যিহোৱাৰ তৰোৱালে এক সীমাৰ পৰা আন সীমালৈকে সকলোকে গ্ৰাস
কৰিছে, কোনো প্ৰাণীৰ শান্তি নাই। ১৩ তেওঁবিলাকে ঘেঁহু বৈ কাঁইট
দালে। তেওঁলোকে দুখ কৰিও একো উপকাৰ নাপালে; তেওঁলোকে
যিহোৱা প্ৰচণ্ড ক্ৰোধৰ কাৰণে নিজ নিজ ফলৰ বিষয়ে লজ্জিত হোৱা।
১৪ মই মোৰ প্ৰজা ইস্ৰায়েলক অধিকাৰ কৰোঁৱা অধিপত্যক স্পৰ্শ
কৰা মোৰ আটাই দুষ্ট ওচৰ-চুবুৰীয়াৰ বিৰুদ্ধে যিহোৱাই এইদৰে
কৈছে: চোৱা, মই তেওঁলোকৰ মাটিৰ পৰা তেওঁলোকক উঘালিম, আৰু
তেওঁলোকৰ মাজৰ পৰা যিহূদা বংশকো উঘালিম। ১৫ কিন্তু উঘলাৰ
পাছত, মই পুনৰায় দয়া কৰিম; আৰু প্ৰতিজনক তাৰ আধিপত্যলৈ,
আৰু তাৰ মাটিলৈ আনিম। ১৬ এনেকৈ তেওঁলোকে মোৰ প্ৰজাসকলক
বালৰ নামেৰে শপত খাবলৈ শিকাইছিল, তেনেকৈ "যিহোৱাৰ জীৱনৰ
শপত!" বুলি মোৰ নামেৰে শপত কৰিবলৈ মোৰ প্ৰজাসকলৰ পথ
যদি তেওঁলোকে যত্নেৰে শিকে, তেন্তে মোৰ প্ৰজাসকলৰ মাজত
তেওঁলোকক স্থাপন কৰা হ'ব। ১৭ যদি তেওঁলোকে নুশুনে, তেন্তে মই
সেই জাতিক উঘালি পেলাম। আৰু নিশ্চয়কৈ উঘালি পেলাই তাক নষ্ট
কৰিম। এইয়েই যিহোৱাৰ ঘোষণা।"

**১৩** যিহোৱাই মোক এইদৰে ক'লে, "তুমি গৈ শণ সূতাৰে বোৱা
কাপোৰৰ এগছ টঙালি কিনি তোমাৰ কঁকালত বান্ধা, তাক প্ৰথমে
পানীত নিতিয়াবা।" ২ সেয়ে মই যিহোৱাৰ বাক্য অনুসাৰে এগছ টঙালি
কিনি মোৰ কঁকালত বান্ধি ল'লোঁ। ৩ তেতিয়া দ্বিতীয়বাৰ যিহোৱাৰ
বাক্য মোৰ ওচৰলৈ আহিল আৰু ক'লে, ৪ বোলে, "তুমি যি টঙালি
কিনিলা, আৰু তোমাৰ কঁকালত আছে, তাক লোৱা, আৰু উঠি ফৰাতলৈ
যাত্ৰা কৰা আৰু শিলৰ ফাটত তাক লুকুৱাই ৰাখা।" ৫ এইদৰে মই
যিহোৱাৰ আজ্ঞা অনুসাৰে গৈ ফৰাতৰ কাষত তাক লুকুৱাই ৰাখিলোঁ।
৬ বহু দিনৰ পাছত যিহোৱাই মোক ক'লে, "তুমি উঠি ফৰাতলৈ যোৱা।
মই তাত লুকুৱাই ৰাখিবলৈ তোমাক আজ্ঞা দিয়া টঙালিগছ তাৰ পৰা
আনাগৈ।" ৭ তেতিয়া মই ফৰাতলৈ গৈ, মই লুকুৱাই থোৱা ঠাইৰ পৰা
টঙালিগছ খানি উলিয়ালোঁ। কিন্তু চোৱা! সেই টঙালিগছ নষ্ট হ'ল;

কোনো কাৰ্যৰ যোগ্য নাছিল। ৮ তেতিয়া যিহোৱাৰ বাক্য মোৰ ওচৰলৈ
পুনৰ আহিল, বোলে, ৯ “যিহোৱাই কৈছে: ‘এনেদৰেই মই যিহূদাৰ
অহংকাৰ আৰু যিৰূচালেমৰ মহা অহংকাৰ নষ্ট কৰিম। ১০ এই যি
দুচৰিত্ৰৰ লোকসকলে মোৰ কথা শুনিবলৈ অমান্তি হৈ নিজ হৃদয়ৰ
কঠিনতা অনুসাৰে চলে, আৰু ইতৰ দেৱতাবোৰক সেৱাপূজা আৰু
সেইবোৰৰ আগত প্ৰণিপাত কৰিবৰ অৰ্থে সেইবোৰৰ পাছত যায়,
তেওঁলোক কোনো কাৰ্যৰ যোগ্য নোহোৱা এই টঙালি গছৰ নিচিনা
হব। ১১ কিয়নো যিহোৱাই কৈছে, মানুহৰ কঁকালত যেনেকৈ টঙালি
লাগি থাকে, তেনেকৈ মই গোটেই ইস্ৰায়েল বংশক আৰু গোটেই
যিহূদা বংশক মোৰ প্ৰজা, আৰু মোৰ কীৰ্ত্তি, প্ৰশংসা, আৰু ভুষণস্বৰূপ
কৰিবৰ অৰ্থে নিজতে লগাই ৰাখিছিলোঁ; কিন্তু তেওঁলোকে মোৰ কথা
নুশুনিলে।’ ১২ এই হেতুকে তুমি তেওঁলোকক এই কথা ক’বই লাগিব:
যে, “ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাই এইদৰে কৈছে: “আটাইবোৰ মোট
দ্ৰাক্ষাৰসেৰে পূৰ কৰা যাব।” তেওঁলোকে তোমাক ক’ব, ‘প্ৰত্যেক মোট
যে দ্ৰাক্ষাৰসেৰে পূৰ কৰা যাব, তাক জানো আমি ভালকৈ নাজানো?’
১৩ তেতিয়া তুমি তেওঁলোকক ক’বা, ‘যিহোৱাই এই কথা কৈছে: চোৱা,
মই এই দেশ-নিবাসী আটাইকে, এনে কি, দায়ূদৰ সিংহাসনত বহোঁতা
ৰজাসকলক, পুৰোহিতসকলক, ভাববাদীসকলক, আৰু যিৰূচালেম
নিবাসী সকলোকে দ্ৰাক্ষাৰসেৰে পূৰ কৰি মতোৱাল কৰিম। ১৪ মই
পৰস্পৰক, এনে কি, বাপেক-পুতেকহঁতক লগ লগাই খুন্দিয়া-খুন্দি
কৰোৱাম; যিহোৱাৰ এইয়েই ঘোষণা যে - মই যে তেওঁলোকক নষ্ট
নকৰিবৰ মনেৰে তেওঁলোকক মৰম, দয়া, কি অনুগ্ৰহ কৰিম, এনে
নহ’ব। ১৫ তোমালোকে শুনা, কাণ দিয়া, অহংকাৰ নকৰিবা, কিয়নো
যিহোৱাই কথা কৈছে। ১৬ তোমালোকৰ ঈশ্বৰ যিহোৱাই অন্ধকাৰ নৌ
আনোতেই, অন্ধকাৰময় পৰ্ব্বতত তোমাৰ ভৰি উজুটি নৌ খাওঁতেই,
আৰু তোমালোকে পোহৰলৈ বাট চোৱাত তেওঁ তাক মৃত্যুচ্ছায়াত
পৰিবৰ্ত্তন নৌ কৰোঁতেই, আৰু তাক ঘোৰ অন্ধকাৰ নৌ কৰোঁতেই
তেওঁক গৌৰৱান্বিত কৰা। ১৭ কিন্তু তোমালোকে যদি তাক নুশুনা,
তোমালোকৰ গৰ্ব্বৰ কাৰণে মোৰ মনে নিৰলে ক্ৰন্দন কৰিব। আৰু

যিহোৱাৰ জাকক বন্দী কৰি নিয়াৰ বাবে মোৰ চকুৰ পৰা বহু অশ্রু
ওলাব, আৰু পানীৰে ধাৰ বব। ১৮ তুমি ৰজা আৰু ৰাজমাক কোৱা,
“নিজকে নম্র কৰা আৰু তোমালোক চাপৰত বহা, কিয়নো তোমালোকৰ
শিৰোভুষণ, এনে কি, সুন্দৰ মুকুট খহি পৰিল। ১৯ দক্ষিণ অঞ্চলৰ
নগৰবোৰ বন্ধ হ’ল, সেইবোৰ মেলি দিওঁতা কোনো নাই; গোটেই
যিহূদাক দেশান্তৰলৈ নিয়া হ’ল, তাৰ সকলো লোককে নিয়া হ’ল। ২০
তোমালোকে উত্তৰ দিশৰ পৰা অহা এই লোকসকলক চোৱা। তোমাক
দিয়া সেই মেৰৰ জাকটি, তোমাৰ সুন্দৰ জাকটি ক’ত? ২১ তুমি
নিজে নিজৰ বিপক্ষে তোমাৰ বন্ধুসকলক শিক্ষা দিয়াত, যেতিয়া তেওঁ
তোমাৰ ওপৰত সেই বন্ধুসকলক মূৰব্বী পাতিব? তেতিয়া তুমি কি
কবা? প্রসৱকাৰিণীৰ বেদনাৰ দৰে বেদনাই তোমাক নধৰিব নে? ২২
তেতিয়া হয়তো তুমি মনতে ক’বা, যে, “মোৰ এনে দশা কিয় ঘটিল?”
তেন্তে শুনা, তোমাৰ অপৰাধ অধিক হোৱাত তোমাৰ বস্ত্রৰ আঁচল
ওপৰলৈ তোলা হ’ল, আৰু তোমাক বলাৎকাৰ কৰা হ’ল। ২৩ কুচীয়া
লোকে জানো নিজৰ ছাল, বা নাহৰফুটুকী বাঘে জানো নিজ গাৰ
ফুটুকা-ফুটুকীবোৰ, সলনি কৰিব পাৰে? যদি পাৰে, তেন্তে কুকৰ্মত
অভ্যাস থকা যি তোমালোক, তোমালোকেও সৎকৰ্ম কৰা সম্ভৱ।
২৪ এই হেতুকে মই অৰণ্যৰ বতাহত উৰি যোৱা খেৰৰ নিচিনাকৈ
তেওঁলোকক উৰুৱাই দিম। ২৫ যিহোৱাই কৈছে, এয়ে তোমাৰ নিৰূপিত
ভাগ, মই তোমাক জুখি দিয়া অংশ; কিয়নো তুমি মোক পাহৰিলা, আৰু
মিছাত বিশ্বাস কৰিলা। ২৬ সেই কাৰণে মইয়ো তুমি পিন্ধা কাপোৰৰ
আঁচল মুখৰ ওপৰলৈকে দাঙিম; আৰু তোমাৰ লাজৰ ঠাই দেখা যাব।
২৭ চহৰৰ বাহিৰৰ পৰ্ব্বতত মই তোমাৰ ঘিণলগীয়া কাম, এনে কি,
তোমাৰ ব্যভিচাৰকৰ্ম, তোমাৰ ঢেকঢেকনি, আৰু বেশ্যাবৃত্তিৰ কুকৰ্ম
দেখিলোঁ, হে যিৰূচালেম তুমি সন্তাপৰ পাত্রী! তুমি শুচি হবলৈ ইচ্ছা
নকৰা। তুমি এনে অৱস্থাত আৰু কিমান কাল থাকিবা?

**১৪** অনাবৃষ্টিৰ বিষয়ে যিৰিমিয়ালৈ অহা এয়েই যিহোৱাৰ বাক্য।
২ “যিহূদাক শোক কৰিবলৈ দিয়া; আৰু তাৰ বৰদুৱাৰ কেইখনে
বিলাপ কৰ’ক। তেওঁলোকে ক’লা কাপোৰ পিন্ধি মাটিত বহিছে;

আৰু যিৰূচালেমৰ চিঞঁৰ ওপৰলৈ উঠিছে। ৩ তেওঁলোকৰ বৰ
লোকসকলে নিজ নিজ অধীনৰ দাসবোৰক পানীৰ বাবে পঠাইছে।
তেওঁলোকে জলাধাৰবোৰৰ ওচৰলৈ গৈ পানী নাপাই শুদা পাত্ৰ
লৈ উলটি আহিছে; তেওঁলোকে লাজ পাই মুখ বিবৰ্ণ কৰিছে, আৰু
তেওঁলোকৰ মূৰ ঢাকিছে। ৪ দেশত বৃষ্টি নোহোৱাত মাটি টান হ'ল,
কাৰণ খেতিয়কসকলে লাজ পাই নিজ নিজ মূৰ ঢাকি ৰাখিছে। ৫ এনে
কি, ঘাঁহ নোহোৱাতে হৰিণীয়েও পথাৰত পোৱালি জগাই এৰি থৈ
গৈছে। ৬ আৰু বনৰীয়া গাধবোৰে গছশূন্য পৰ্ব্বতত থিয় হৈ শিয়ালৰ
দৰে বায়ুৰ কাৰণে হেঁপাই-ফোঁপাই ফুৰিছে। তৃণ নথকাত তেওঁলোকৰ
চকু ক্ষীণাই গৈছে।” ৭ হে যিহোৱা, যদিও আমাৰ অপৰাধবোৰে আমাৰ
অহিতে সাক্ষ্য দিছে, তথাপি তুমি নিজ নামলৈ চাই কাৰ্য কৰা। কিয়নো
আমাৰ বিপথগমন অনেক; আমি তোমাৰ বিৰুদ্ধে পাপ কৰিলোঁ। ৮ হে
ইস্ৰায়েলৰ আশাভুমি, তাৰ সঙ্কটৰ কালৰ ত্ৰাণকৰ্ত্তা, তুমি কিয় দেশত
প্ৰবাস কৰা লোকৰ দৰে, আৰু ৰাতি থকা পথিকৰ নিচিনা? ৯ তুমি কিয়
তধা লগা মানুহৰ দৰে, আৰু ত্ৰাণ কৰিবলৈ সমৰ্থ নথকা বীৰৰ নিচিনা?
তথাপি হে যিহোৱা, তুমি আমাৰ মাজত আছা! আৰু আমি তোমাৰ
নামেৰে প্ৰখ্যাত। আমাক ত্যাগ নকৰিবা। ১০ যিহোৱাই এই জাতিৰ
বিষয়ে এই কথা কৈছে: “তেওঁলোকে সিমানকৈ ভ্ৰমণ কৰিবলৈ ভাল
পায়, তেওঁলোকে নিজ নিজ ভৰি নাৰাখিলে।” এই কাৰণে যিহোৱাই
তেওঁলোকক গ্ৰহণ নকৰে। তেওঁ এতিয়া তেওঁলোকৰ অপৰাধ সোঁৰৰণ
কৰিব আৰু তেওঁলোকৰ পাপবোৰৰ কাৰণে তেওঁলোকক দণ্ড দিব।
১১ যিহোৱাই মোক আৰু ক'লে, তুমি এই জাতিৰ মঙ্গলৰ অৰ্থে
প্ৰাৰ্থনা নকৰিবা। ১২ তেওঁলোকে লঘোন দিলেও মই তেওঁলোকৰ
কাতৰোক্তি নুশুনিম আৰু তেওঁলোকে হোম ও নৈবেদ্য উৎসৰ্গ কৰিলেও
তেওঁলোকক গ্ৰহণ নকৰিম; কিন্তু তৰোৱাল, আকাল, আৰু মহামাৰীৰ
দ্বাৰাই মই তেওঁলোকক সংহাৰ কৰিম।” ১৩ তেতিয়া মই ক'লোঁ,
“হায় হায়, প্ৰভু যিহোৱা! চোৱা! ভাববাদীসকলে তেওঁলোকক কয়,
“তোমালোকে তৰোৱাল নেদেখিবা; বা তোমালোকলৈ আকাৰ নঘটিব,
কিন্তু মই এই ঠাইত তোমালোকক প্ৰকৃত শান্তি দিম'।” ১৪ তেতিয়া

যিহোৱাই মোক ক'লে, ‘সেই ভাববাদীবোৰে মিছাকৈয়ে মোৰ নাম কৰি
ভাববাণী প্ৰচাৰ কৰে। মই তেওঁলোকক পঠোৱা, কি কোনো আজ্ঞা
দিয়া নাই, নাইবা তেওঁলোকক কোনো কথা কোৱা নাই। তেওঁলোকক
তোমালোকৰ আগত মিছা দৰ্শন, মঙ্গল চোৰা কথা, অসাৰ কথা,
আৰু নিজ নিজ মনৰ প্ৰবঞ্চনামূলক ভাববাণী প্ৰচাৰ কৰে। ১৫ এই
হেতুকে “যি ভাববাদীবোৰক মই পঠোৱা নাই, তথাপি তৰোৱাল আৰু
আকাল এই দেশত নহব বুলি কৈ তেওঁলোকে মোৰ নামেৰে ভাববাণী
প্ৰচাৰ কৰে: সেই ভাববাদীসকলৰ বিষয়ে যিহোৱাই এই কথা কৈছে,
তৰোৱাল আৰু আকালৰ দ্বাৰাই সেই ভাববাদীসকলক সংহাৰ কৰা
যাব। ১৬ আৰু তেওঁলোকে যি জাতিৰ আগত ভাববাণী প্ৰচাৰ কৰে,
আকাল আৰু তৰোৱালৰ কাৰণে যিৰূচালেমৰ আলিত তেওঁলোকক
পেলাই দিয়া যাব, আৰু তেওঁলোকক, তেওঁলোকৰ স্ত্ৰীসকলক, লৰা-
ছোৱালীসকলক মৈদাম দিওঁতা কোনো নহ'ব, কিয়নো মই তেওঁলোকৰ
দুষ্টতাৰ ফল তেওঁলোকৰ ওপৰত ঢালি দিম। ১৭ তুমি তেওঁলোকক
এই কথা কোৱা, দিনে-ৰাতিয়ে মোৰ চকুৰ পৰা ধাৰেৰে পানী বৈ
থাকক, নাথামক। কিয়নো মোৰ জাতিস্বৰূপা কুমাৰী জীয়াৰী মহা-
আঘাতত, আৰু অত্যন্ত কষ্টদায়ক প্ৰহাৰত ভগ্ন হ'ল। ১৮ মই যদি
ওলাই পথাৰলৈ যাওঁ, তেতিয়া তাত তৰোৱালেৰে হত হোৱা লোক
দেখোঁ, আৰু যদি নগৰত সোমাওঁ, আৰু তাতো আকালত পীড়িত
হোৱা মানুহ দেখোঁ; কিয়নো ভাববাদী আৰু পুৰোহিত দুয়ো দেশত
ভ্ৰমি ফুৰে, একো নাজানে। ১৯ তুমি যিহূদাক নিচেইকৈ অগ্ৰাহ্য
কৰিলা নে? তোমাৰ মনে চিয়োনক ঘিণ কৰিলে নে? তুমি আমাক
সুস্থ হ'ব নোৱাৰাকৈ কিয় প্ৰহাৰ কৰিলা? আমি শান্তিলৈ বাট চালোঁ,
কিন্তু কোনো মঙ্গল নাহিল, আৰু সুস্থ হবৰ সময়লৈ বাট চালোঁ, কিন্তু
চোৱা, কেৱল ত্ৰাসহে। ২০ হে যিহোৱা, আমাৰ দুষ্টতা, আৰু আমাৰ
পিতৃসকলৰ অপৰাধ আমি স্বীকাৰ কৰোঁ, কিয়নো আমি তোমাৰ
বিৰুদ্ধে পাপ কৰিলোঁ। ২১ তুমি নিজ নামলৈ চাই আমাক ঘিণ নকৰিবা!
নিজ গৌৰৱযুক্ত সিংহাসন অপমানিত নকৰিবা। সোঁৱৰণ কৰা, আমাৰ
সৈতে স্থাপন কৰা তোমাৰ নিয়মটি নাভাঙিবা। ২২ জাতিবোৰৰ অসাৰ

দেৱতাবোৰৰ মাজত বৃষ্টি দিব পৰা এনে কোন আছে? বা আকাশে
জানো নিজ জল বৰ্ষাব পাৰে? হে আমাৰ ঈশ্বৰ যিহোৱা, তুমিয়েই
জানো এই জনা নোহোৱা? এই হেতুকে আমি তোমালৈ বাট চাই
থাকিম; কিয়নো তুমিয়েই এই সকলো কৰিলা।

১৫ তেতিয়া যিহোৱাই মোক ক'লে, "যদিও মোচি আৰু চমূৱেল মোৰ
আগত থিয় হয়, তথাপি মোৰ মন এই জাতিলৈ সদয় নহ'ব; তুমি মোৰ
আগৰ পৰা তেওঁলোকক বিদায় কৰা, তেওঁলোক ওলাই গুচি যাওঁক।
২ আৰু আমি ক'লৈ ওলাই যাম বুলি যেতিয়া তেওঁলোকে ক'ব, তেতিয়া
তুমি তেওঁলোকক ক'বা, যিহোৱাই এই কথা কৈছে: মৃত্যুলৈ নিৰূপিত
লোক মৃত্যুলৈ; তৰোৱাললৈ নিৰূপিত লোক তৰোৱাললৈ। আকাললৈ
নিৰূপিত লোক আকাললৈ, বন্দী-অৱস্থালৈ নিৰূপিত লোক বন্দী-
অৱস্থালৈ ওলাই যাওঁক।' ৩ আৰু যিহোৱাই কৈছে, মই তেওঁলোকক
বধ কৰিবলৈ তৰোৱাল, ছিৰিবলৈ কুকুৰ, খাবলৈ আৰু বিনষ্ট কৰিবলৈ
আকাশৰ পক্ষী আৰু পৃথিৱীৰ জন্তু, এই চাৰি বিধক মই তেওঁলোকৰ
ওপৰত নিযুক্ত কৰিম। ৪ আৰু হিষ্কিয়াৰ পুত্ৰ যিহূদাৰ ৰজা মনচিয়ে
যিৰূচালেমত কৰা কাৰ্যৰ কাৰণে, পৃথিৱীৰ আটাই ৰাজ্যৰ মাজত
মই তেওঁলোকক ত্ৰাসৰ বিষয় কৰিম। ৫ কিয়নো হে যিৰূচালেম,
কোনে তোমাক দয়া কৰিব, আৰু তোমাৰ বাবে বিলাপ কৰিব? বা
তোমাৰ মঙ্গল সুধিবলৈ কোনে এফলীয়া হৈ যাব? ৬ যিহোৱাই কৈছে,
তুমি মোক ত্যাগ কৰিলা, তুমি পাছ হুঁহকি গ'লা। এই কাৰণে মই
তোমাৰ অহিতে মোৰ হাত মেলি তোমাক নষ্ট কৰিলোঁ; মই ক্ষমা
কৰি কৰি আমনি পাইছোঁ। ৭ মই তেওঁলোকক দেশৰ দুৱাৰবোৰত
কুলাৰে জাৰিলোঁ। তেওঁলোকক সন্তানহীন কৰিলোঁ। মোৰ জাতিক
বিনষ্ট কৰিলোঁ; তেওঁলোক নিজৰ পথৰ পৰা নুলটিল। ৮ মোৰ আগত
তেওঁলোকৰ বিধৱাসকল সমুদ্ৰৰ বালিতৈকেয়ো অধিক হৈছে; মই
তেওঁলোকৰ মাজৰ ডেকাসকলৰ মাকৰ বিৰুদ্ধে দুপৰবেলাত এজন
সংহাৰক আনিলোঁ, তাইলৈ অকস্মাতে দুখ আৰু ত্ৰাস উপস্থিত কৰিলোঁ।
৯ সাত পুত্ৰ প্ৰসৱ কৰা মাতৃয়ে ক্ষীণাই প্ৰাণত্যাগ কৰিলে। দিন
থাকোঁতেই তাইৰ বেলি মাৰ গ'ল। তাই লাজ পাই বিবৰ্ণ হ'ল, মই

তেওঁলোকৰ অৱশিষ্ট ভাগক শত্ৰু আগত তৰোৱালত সমৰ্পণ কৰিম
এইয়েই যিহোৱাৰ ঘোষণা। ১০ হায় হায়, হে মোৰ মাতৃ! সমস্ত পৃথিৱীত
বিবাদ আৰু কন্দল কৰাকৈ তুমি মোক প্ৰসৱ কৰিলা। মই কাকো
সুতলৈ ধাৰ দিয়া নাই, বা মোকো কোনেও সুতলৈ ধাৰ দিয়া নাই;
তথাপি সকলোৱে মোক শাও দিয়ে। ১১ যিহোৱাই ক'লে: "মই নিশ্চয়ে
তোমাক মঙ্গলৰ কাৰণে সবল নকৰিম নে? নিশ্চয়ে সঙ্কটৰ কালত
আৰু দুৰ্দ্দশাৰ সময়ত মই শত্ৰু তোমাৰ আগত নিবেদন কৰাম। ১২
কোনো মানুহে জানো লোহাক গুড়ি কৰিব পাৰে? এনে কি, উত্তৰ
দেশীয় লোহা, আৰু পিতল ভাঙিব পাৰে? ১৩ মই তোমাৰ সম্পত্তি
আৰু তোমাৰ বহুমুল্য বস্তু বিনামূল্যে লুটদ্ৰব্যস্বৰূপে দিম। এনে কি,
তোমাৰ পাপ সমূহৰ কাৰণে তোমাৰ সীমাৰ সকলো ফালে তাক
কৰিম। ১৪ তেতিয়া শত্ৰুৰে সৈতে তুমি নজনা দেশলৈ সেইবোৰ
নিয়াম, কিয়নো মোৰ ক্ৰোধাগ্নি জ্বলিছে, সেয়ে তোমালোকৰ ওপৰত
জ্বলি থাকিব। ১৫ হে যিহোৱা, তুমিয়েই জানি আছা! মোক সোঁৱৰণ
কৰা, মোলৈ কৃপা দৃষ্টি কৰা। আৰু মোৰ অৰ্থে মোৰ তাড়ণাকাৰীৰ
প্ৰতিকাৰ সাধা। তোমাৰ দীৰ্ঘ সহিষ্ণুতাত মোক বিনষ্ট হব নিদিবা।
মই যে তোমাৰ কাৰণে অপমান সহন কৰিলোঁ, তাক তুমি মনত
পেলোৱা। ১৬ মই তোমাৰ বাক্যবোৰ পোৱা মাত্ৰকে অতি আগ্ৰহেৰে
গ্ৰহণ কৰিলোঁ, আৰু তোমাৰ বাক্যবোৰ মোৰ পক্ষে মোৰ মনৰ আনন্দ
আৰু উল্লাসজনক হল, কিয়নো হে বাহিনীসকলৰ ঈশ্বৰ যিহোৱা,
মই তোমাৰ নামেৰে প্ৰখ্যাত। ১৭ মই আমোদকাৰী সকলৰ সভাত
বহি উল্লাস কৰা নাই। তোমাৰ হাতৰ কাৰণে মই অকলেই বহোঁ,
কিয়নো তুমি মোক ক্ৰোধেৰে পৰিপূৰ্ণ কৰিলা। ১৮ মোৰ বেদনা কিয়
চিৰকলীয়া? আৰু মোৰ ঘা কিয় সুস্থ হব নোৱাৰে? সেয়ে ভাল হব
নোখোজে? তুমি জানো সচাঁকৈয়ে মোৰ আগত মিছা জুৰি আৰু অস্থায়ী
জল স্বৰূপ হবা? ১৯ এই হেতুকে যিহোৱাই এইদৰে কৈছে: তুমি যদি
উলটি আহাঁ, তেন্তে মোৰ আগত থিয় হব পৰাকৈ মই তোমাক আকৌ
আনিম। আৰু যদি অধম বস্তুৰ মাজৰ পৰা ৰত্ন বাহিৰ কৰি লোৱা,
তেন্তে মোৰ মুখস্বৰূপ হ'বা; তেওঁলোক তোমালৈ ঘুৰি আহিব, কিন্তু

তুমি তেওঁলোকলৈ নুঘুৰিবা। ২০ মই এই জাতিৰ আগত তোমাক
পিতলৰ দৃঢ় গড়স্বৰূপ কৰিম; তেওঁলোকে তোমাৰ বিৰুদ্ধে যুদ্ধ কৰিব,
কিন্তু তোমাক পৰাজয় কৰিব নোৱাৰিব। কিয়নো, যিহোৱাই কৈছে,
তোমাৰ ত্ৰাণ আৰু উদ্ধাৰৰ অৰ্থে মই তোমাৰ লগত আছোঁ। ২১ আৰু
দুষ্টবোৰৰ হাতৰ পৰা মই তোমাক উদ্ধাৰ কৰিম, আৰু ভয়ানকবোৰৰ
হাতৰ পৰা তোমাক মুক্ত কৰিম।"

১৬ এয়েই যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল আৰু ক'লে, ২
বোলে, "তুমি বিবাহ নকৰিবা, এই ঠাইত তোমাৰ পো-জী হবলৈ
নিদিবা।" ৩ কিয়নো, এই ঠাইত ওপজা পো-জীৰ বিষয়ে আৰু এই
দেশত তেওঁলোকক প্ৰসৱ কৰা মাতৃসকলৰ, আৰু তেওঁলোকক জন্ম
দিয়া পিতৃসকলৰ বিষয়ে যিহোৱাই এইদৰে কৈছে: ৪ "তেওঁলোকে
কষ্টদায়ক মৃত্যুত প্ৰাণত্যাগ কৰিব। আৰু তেওঁলোকৰ কাৰণে কোনেও
বিলাপ নকৰিব। তেওঁলোক মাটিৰ ওপৰত সাৰৰ নিচিনাকৈ পৰি
থাকিব। আৰু তেওঁলোকক মৈদাম দিয়া নাযাব; 'তেওঁলোক তৰোৱাল
ও আকালৰ দ্বাৰাই হত হ'ব আৰু তেওঁলোকৰ শৱ আকাশৰ চৰাইৰ
আৰু পৃথিৱীৰ জন্তুৰ আহাৰ হ'ব। ৫ কিয়নো যিহোৱাই এইদৰে
কৈছে: "তুমি শোকৰ কোনো ঘৰত নোসোমাবা। তুমি বুকু ভুকুৱাবলৈ
নাযাবা, আৰু তেওঁলোকৰ কাৰণে বিলাপ নকৰিবা। কাৰণ, মই এই
জাতিৰ পৰা মোৰ শান্তি, এনে কি, দয়া আৰু অনুগ্ৰহ দূৰ কৰিলোঁ!"
যিহোৱাই এইদৰেই কৈছে। ৬ "এই দেশত থকা বৰ আৰু সৰু লোক
মৰিব। তেওঁলোকক মৈদাম দিয়া নাযাব আৰু তেওঁলোকৰ কাৰণে
কোনেও বুকু নুভুকুৱাব। আৰু তেওঁলোকৰ কাৰণে কোনেও নিজ
ঘা কাট-কুট নকৰিব, বা মূৰ নুখুৰাব। ৭ লোক সকলে মৃত লোকৰ
কাৰণে তেওঁলোকক শান্তনা দিবলৈ শোক কৰোঁতে তেওঁলোকক পিঠা
নিবিলাব, নাইবা তেওঁলোকৰ পিতৃ কি মাতৃৰ কাৰণে পান কৰিবলৈ
লোক সকলে তেওঁলোকক শান্তনাদায়ক পান-পাত্ৰ নিদিব। ৮ তুমি
তেওঁলোকৰ লগত ভোজন-পান কৰিবৰ অৰ্থে, তেওঁলোকৰ লগত
বহিবলৈ ভোজৰ ঘৰত নোসোমাবা।" ৯ কিয়নো ইস্ৰায়েলৰ ঈশ্বৰ
বাহিনীসকলৰ যিহোৱাই এইদৰে কৈছে: "চোৱা, মই তোমালোকৰ

চকুৰ আগতে আৰু তোমালোকৰ দিনতে এই ঠাইৰ পৰা উল্লাসৰ
ধ্বনি, আনন্দৰ ধ্বনি, আৰু দৰা-কন্যাৰ ধ্বনি লুপ্ত কৰিম। ১০ আৰু
তেতিয়া তুমি এই জাতিৰ আগত এই সকলো কথা প্ৰচাৰ কৰিবা, আৰু
তেওঁলোকে তোমাক ক'ব, যে, 'যিহোৱাই আমাৰ বিৰুদ্ধে এই মহা
বিপদৰ কথা কিয় ক'লে? বা আমাৰ অপৰাধ কি? আমি আমাৰ ঈশ্বৰ
যিহোৱাৰ বিৰুদ্ধে কৰা আমাৰ পাপ কি?' ১১ তেতিয়া তুমি তেওঁলোকক
ক'বা, 'যিহোৱাই কৈছে, তোমালোকৰ পূৰ্বপুৰুষসকলে মোক ত্যাগ
কৰিলে,' ইতৰ দেৱতাবোৰৰ পাছত চলিলে, সেইবোৰক সেৱাপূজাও
কৰিলে আৰু সেইবোৰৰ আগত প্ৰণিপাত কৰিলে। কিন্তু মোক হ'লে
ত্যাগ কৰিলে, মোৰ ব্যৱস্থা পালন নকৰিলে। ১২ আৰু তোমালোক
হ'লে তোমালোকৰ পূৰ্বপুৰুষসকলতকৈয়ো অধিক কদাচৰণ কৰিছা,
কিয়নো চোৱা! তোমালোক প্ৰতিজনে নিজ নিজ দুষ্ট মনৰ কঠিনতা
অনুসাৰে চলি মোৰ কথাত কাণ নিদিয়া। ১৩ এই হেতুকে তোমালোকৰ
পূৰ্বপুৰুষসকলে আৰু তোমালোকেও যি দেশ জনা নাই, এনে এক
দেশলৈ মই এই দেশৰ পৰা তোমালোকক দূৰ কৰি দিম; সেই
ঠাইত তোমালোকে দিনে-ৰাতিয়ে ইতৰ দেৱতাবোৰক সেৱাপূজা
কৰিবা; কিয়নো মই তোমালোকক অনুগ্ৰহ নকৰিম। ১৪ এই হেতুকে
চোৱা! এনে কোনো দিনবোৰ আহিছে "যিহোৱাই কৈছে", সেই দিনা
লোকসকলে আৰু নক'ব, যে, যি জনাই ইস্ৰায়েলৰ সন্তান সকলক
মিচৰ দেশৰ পৰা আনিলে, সেই যিহোৱাৰ জীৱনৰ শপত।' ১৫
কিন্তু এনেকৈ কব, যে, যি জনাই ইস্ৰায়েলৰ সন্তান সকলক উত্তৰ
দেশৰ পৰা, আৰু যি যি দেশলৈ তেওঁলোকক খেদিছিল, সেই সকলো
দেশৰ পৰা আনিলে, সেই যিহোৱাৰ জীৱনৰ শপত। মই তেওঁলোকৰ
পূৰ্বপুৰুষসকলক যি দেশ দিছিলোঁ, সেই দেশলৈ পুনৰায় তেওঁলোকক
আনিম। ১৬ চোৱা! মই অনেক মাছ-মৰিয়া অনাম, "যিহোৱাই কৈছে",
তেওঁলোকে মাছ ধৰাদি তেওঁলোকক ধৰিব। পাছে মই অনেক ব্যাধ
অনাম, তেওঁলোকে চিকাৰীৰ দৰে চিকাৰ কৰি প্ৰত্যেক পৰ্ব্বত, প্ৰত্যেক
গিৰি আৰু শিলবোৰৰ খোৰোঙৰ পৰা তেওঁলোকক উলিয়াব। ১৭
কিয়নো তেওঁলোকৰ সকলো পথত মোৰ চকু আছে, তেওঁলোক মোৰ

পৰা গুপুতে নাথাকিব বা তেওঁলোকৰ অপৰাধ মোৰ দৃষ্টিত অগোচৰ
নহ’ব। ১৮ মই প্ৰথমে তেওঁলোকৰ অপৰাধ আৰু পাপৰ দুগুন প্ৰতিফল
দিম; কিয়নো তেওঁলোকে নিজৰ ঘিণলগীয়া বস্তুৰ শৱেৰে মোৰ দেশ
অশুচি কৰিলে, আৰু তেওঁলোকৰ ঘৃণনীয় পদাৰ্থৰে মোৰ আধিপত্য
পৰিপূৰ্ণ কৰিলে। ১৯ হে মোৰ বল, হে মোৰ কোঁঠ, আৰু সঙ্কটৰ কালৰ
মোৰ আশ্ৰয় হে যিহোৱা, পৃথিৱীৰ অন্তৰ পৰা জাতিবোৰে তোমাৰ
ওচৰলৈ আহি ক’ব, “আমাৰ পূৰ্বপুৰুষসকলে মিছা, এনে কি অসাৰ
আৰু অনুপকাৰী বস্তুৰ বাহিৰে একো অধিকাৰ কৰা নাই। ২০ যি
ঈশ্বৰ নহয়, মানুহে নিজলৈ জানো এনে দেৱতাবোৰ সাজিব? ২১ এই
হেতুকে চোৱা! মই তেওঁলোকক জনাম, মোৰ হাত আৰু মোৰ পৰাক্ৰম
তেওঁলোকক একেৰাহে জ্ঞাত কৰাম, তাতে মোৰ নাম যে যিহোৱা,
ইয়াকে তেওঁলোকে জানিবলৈ পাব।

**১৭** যিহূদাৰ পাপ লোহাৰ লিখনী আৰু হীৰাৰ কাঁইটেৰে লিখা হৈছে।
তাক তেওঁলোকৰ হৃদয়ৰূপ ফলিত আৰু তোমালোকৰ যজ্ঞ-বেদিৰ
শিঙাত কটা হৈছে। ২ সেই সময়ত যিহূদাৰ সন্তান সকলে কেঁচাপতীয়া
গছবোৰৰ গুৰিত তেওঁলোকৰ নিজ নিজ যজ্ঞ-বেদি, আৰু নিজ নিজ
আচেৰা মূৰ্ত্তিক ওখ পৰ্ব্বতবোৰৰ ওপৰত সোঁৱৰণ কৰে। ৩ দেশৰ
মাজত থকা তেওঁলোকৰ লোকসকলে ওখ পৰ্ব্বতবোৰৰ ওপৰত
তেওঁলোকৰ যজ্ঞ-বেদিবোৰ সোঁৱৰণ কৰে। মই তোমাৰ সম্পত্তি আৰু
সকলো বহুমূল্য বস্তু লুটদ্ৰব্যস্বৰূপে আনক দিম। মোৰ পাপৰ কাৰণে
তোমাৰ সীমাৰ সকলো ফালে, তোমাৰ ওখ ঠাইবোৰকো লুটদ্ৰব্য
কৰিম। ৪ আৰু তুমি নিজেই মই তোমাক দিয়া আধিপত্য হেৰুৱাবা।
আৰু মই তোমাক, তুমি নজনা দেশত তোমাৰ শত্ৰুবোৰৰ বন্দীকাম
কৰোৱাম, কাৰণ তুমি মোৰ ক্ৰোধাগ্নি জ্বলালা, সেয়ে চিৰকাল জ্বলি
থাকিব। ৫ যিহোৱাই এইদৰে কৈছে: “যি মানুহে মানুহত ভাৰসা
ৰাখে, তেওঁ শাপগ্ৰস্ত; তেওঁ মৰ্ত্ত্যক নিজৰ বাহু জ্ঞান কৰে, আৰু তেওঁৰ
মন যিহোৱাৰ পৰা আঁতৰ হয়। ৬ কিয়নো তেওঁ অৰণ্যত থকা ঝাও
গছৰ দৰে হ’ব, আৰু মঙ্গল আহিলে তেওঁ গম নাপাব। কিন্তু তেওঁ
মৰুভূমিৰ খৰাং ঠাইত নিবাসী-শূন্য লোণা দেশত থাকিব। ৭ যি পুৰুষে

যিহোৱাত নিৰ্ভৰ কৰে, আৰু যি জনাৰ বিশ্বাস-ভুমি যিহোৱা, সেই
পুৰুষ ধন্য। ৮ কিয়নো তেওঁ জলৰ দাঁতিত ৰোৱা, আৰু নদীৰ পাৰত
বহু শিপা মেলা গছৰ নিচিনা হ'ব। খৰ মাৰিলে সি ভয় নকৰিব,
কিন্তু তাৰ পাত কেঁচাই থাকিব। আৰু তেতিয়া অনা বৃষ্টিৰ বছৰতো
তাৰ চিন্তা নহ'ব, আৰু গুটি নলগাকৈ নাথাকিব। ৯ মন সকলোতকৈ
কপটময়। তাৰ ৰোগ সুস্থ কৰিব নোৱাৰি; কোনে তাক বুজিব পাৰে?
১০ মই যিহোৱা, মনৰ বিচাৰ আৰু মৰ্ম্ম পৰীক্ষা কৰোঁতা। প্ৰতিজন
মানুহক তেওঁৰ নিজ নিজ আচাৰ-ব্যৱহাৰ অনুসাৰে, তেওঁৰ কাৰ্যৰ ফল
অনুসাৰে প্ৰতিফল দিওঁ। ১১ ন্যায়ৰূপে ধন নোগোটোৱা মানুহ, নিজে
নজগোৱা আন পোৱালি গোটোৱা কইৰা চৰাইৰ নিচিনা; তাৰ আধা
বয়সতে সেয়ে তাক এৰি যাব, আৰু শেষ কালত সি মূৰ্খ হৈ পৰিব। ১২
আদিৰে পৰা উচ্চস্থানত স্থাপিত গৌৰৱান্বিত সিংহাসন আমাৰ ধৰ্মধাম।
১৩ যিহোৱাই ইস্ৰায়েলৰ আশা-ভুমি। যিসকলে তোমাক ত্যাগ কৰে,
তেওঁলোক সকলোৱেই লজ্জিত হব; যিসকলে সেই ঠাইত তোমাৰ
পৰা আঁতৰি যায় তেওঁলোক বঞ্চিত হ'ব। কিয়নো তেওঁলোকে জীৱিত
জলৰ ভুমুকস্বৰূপ যিহোৱাক ত্যাগ কৰিলে। ১৪ হে যিহোৱা, মোক
সুস্থ কৰা, তাতে মই সুস্থ হম! মোক ৰক্ষা কৰা, তেতিয়া মই পৰিত্ৰাণ
পাম। কিয়নো তুমি মোৰ প্ৰশংসাৰ স্থল। ১৫ চোৱা, তেওঁলোকে মোক
কৈছে, "যিহোৱাৰ বাক্য ক'ত? সেয়ে এতিয়া ঘটক।" ১৬ মই হ'লে
তোমাৰ পাছে পাছে মেৰ-ছাগ ৰখীয়া হ'বলৈ সততে বিমুখ হোৱা নাই,
নাইবা দুখপূৰ্ণ দিনলৈ মই ইচ্ছা কৰা নাই। তাক তুমি জানি আছা;
মোৰ ওঁঠৰ পৰা যি ওলাইছিল, সেয়ে তোমাৰ আগত আছিল। ১৭
মোলৈ ত্ৰাসস্বৰূপ নহ'বা। বিপদৰ দিনত তুমিয়েই মোৰ আশ্ৰয়। ১৮
মোৰ তাড়নাকাৰীসকলে লাজ পাওঁক, কিন্তু মোক হ'লে লাজ পাবলৈ
নিদিবা। তেওঁলোক হ'লে ব্যাকুল হওঁক, কিন্তু মোক হ'লে ব্যাকুল
হবলৈ নিদিবা। তেওঁলোকৰেই ওপৰত বিপদৰ দিন ঘটোৱা, আৰু
দুগুণ সংহাৰেৰে তেওঁলোকক সংহাৰ কৰা।" ১৯ যিহোৱাই মোক এই
কথা ক'লে: "যিহূদাৰ ৰজাসকল যি দুৱাৰেদি সোমায় আৰু ওলায়,
তুমি গৈ সৰ্ব্বসাধাৰণ লোকসকলৰ সেই দুৱাৰত, আৰু যিৰূচালেমৰ

সকলো দুৱাৰত থিয় হোৱা। ২০ আৰু তেওঁলোকক কোৱা, ‘সেই
দুৱাৰবোৰেদি সোমোৱা হে যিহূদাৰ ৰজাসকল, সমুদায় যিহূদা, আৰু
যিৰূচালেম-নিবাসী সকলো লোকসকল, তোমালোকে যিহোৱাৰ বাক্য
শুনা। ২১ যিহোৱাই এইদৰে কৈছে: “তোমালোক সাৱধান হোৱা,
বিশ্ৰাম-বাৰে কোনো বোজা বৈ নানিবা, বা যিৰূচালেমৰ দুৱাৰেদি
তাক ভিতৰলৈ নানিবা। ২২ আৰু বিশ্ৰাম-বাৰে নিজ নিজ ঘৰৰ পৰা
কোনো বোজা বাহিৰ নকৰিবা, আৰু কোনো কাম নকৰিবা; কিন্তু
মই তোমালোকৰ পূৰ্বপুৰুষসকলক আজ্ঞা দিয়াৰ দৰে বিশ্ৰাম-বাৰ
পবিত্ৰ কৰা। ২৩ তেওঁলোকে সেই আজ্ঞা শুনিবলৈ খোজ নাছিল, আৰু
তালৈ কাণ দিয়া নাছিল, কিন্তু নুশুনিবলৈ আৰু শিক্ষা গ্ৰহণ নকৰিবলৈ
নিজ নিজ ডিঙি ঠৰ কৰিছিল। ২৪ আৰু যিহোৱাই কৈছে, এইদৰে
নিশ্চয় ঘটিব, যদিহে তোমালোকে যত্নেৰে মোৰ বাক্যত যদি মন
দিয়া। তোমালোকে বিশ্ৰাম-বাৰে এই নগৰৰ দুৱাৰেদি কোনো বোজা
ভিতৰলৈ নানিবা, আৰু সেইদিনা কোনো কাম নকৰিবা বৰং বিশ্ৰাম-
দিন পবিত্ৰ কৰা। ২৫ তেন্তে দায়ুদৰ সিংহাসনৰ ওপৰত বহোঁতা
ৰজাসকল, আৰু প্ৰধান লোকসকল ৰথত আৰু ঘোঁৰাত উঠি এই নগৰৰ
দুৱাৰেদি সোমাব, তেওঁলোকৰ প্ৰধান লোকসকল, যিহূদাৰ লোক
আৰু যিৰূচালেম-নিবাসীসকল সোমাব; আৰু এই নগৰ চিৰকাললৈকে
থাকিব। ২৬ আৰু তেওঁলোকে যিহূদাৰ নগৰবোৰৰ পৰা, যিৰূচালেমৰ
চাৰিওফালৰ অঞ্চল, বিন্যামীন প্ৰদেশ, নিম্ন-ভুমি, পৰ্ব্বতীয়া অঞ্চল
আৰু দক্ষিণ অঞ্চলৰ পৰা হোম আদি বলি, নৈবেদ্য আৰু ধূপ লৈ আহিব
আৰু তেওঁলোকে যিহোৱাৰ গৃহলৈ ধন্যবাদাৰ্থক বলি আনিব। ২৭ কিন্তু
যদি তোমালোকে বিশ্ৰাম-দিন পবিত্ৰ কৰিবলৈ আৰু বিশ্ৰাম-বাৰে বোজা
বৈ যিৰূচালেমৰ দুৱাৰেদি লোকসকলক সোমাবলৈ দিয়া আৰু মোৰ
আজ্ঞালৈ কাণ নিদিয়া, তেন্তে মই তাৰ দুৱাৰবোৰত অগ্নিৰে প্ৰজ্বলিত
কৰিম, সেয়ে যিৰূচালেমৰ অট্টালিকাবোৰ গ্ৰাস কৰিব, সেইবোৰ
নুনুমাব’।”

**১৮** যিহোৱাৰ পৰা যিৰিমিয়ালৈ এই বাক্য আহিল, ২ বোলে, “তুমি
উঠি কুমাৰৰ ঘৰলৈ নামি যোৱা, আৰু তাতেই মই তোমাক মোৰ বাক্য

শুনাম।” ৩ তেতিয়া মই কুমাৰৰ ঘৰলৈ নামি গ’লো, আৰু চোৱা!
কুমাৰে তাৰ চাকত নিজৰ কাম কৰি আছে। ৪ আৰু তেওঁ মাটিৰে
তৈয়াৰ কৰা পাত্ৰ তেওঁৰ হাতত বেয়া হোৱা দেখি, তেওঁ তাক লৈ
পুনৰায় নিজ ইচ্ছামতে আন এটা পাত্ৰ বনালে। ৫ তেতিয়া যিহোৱাৰ
পৰা মোলৈ বাক্য আহিল আৰু ক’লে, ৬ যিহোৱাই কৈছে, “হে ইস্ৰায়েল
বংশ, এই কুমাৰৰ দৰে তোমালোকৰ লগত মই জানো ব্যৱহাৰ কৰিব
নোৱাৰোঁ?” “হে ইস্ৰায়েল-বংশ, চোৱা! যেনেকৈ কুমাৰৰ হাতত মাটি,
তেনেকৈ মোৰ হাতত তোমালোক আছা। ৭ যি মুহুৰ্ত্ততে তুমি কোনো
এক জাতি আৰু কোনো এক ৰাজ্যৰ বিষয়ে উঘলা, ভঙা আৰু তাক
বিনষ্ট কৰা কথা কওঁ, ৮ মই কোৱা সেই জাতি যদি সেই মুহুৰ্ত্ততে
তেওঁলোকৰ দুষ্টতাৰ পৰা ঘূৰে, তেন্তে মই তেওঁলোকলৈ কৰিব খোজা
মঙ্গলৰ পৰা মন পালটাম। ৯ আৰু যি মুহুৰ্ত্ততে কোনো এক জাতি
আৰু কোনো এক ৰাজ্যৰ বিষয়ে সজা আৰু ৰোৱা কথা কওঁ, ১০ সেই
মুহুৰ্ত্ততে যদি সেই জাতিয়ে মোৰ বাক্য পালন নকৰি মোৰ সাক্ষাতে
কু-আচৰণ কৰে, তেন্তে মই তেওঁলোকলৈ কৰিব খোজা মঙ্গলৰ পৰা
মন পালটাম। ১১ এই হেতুকে এতিয়া তুমি যিহূদাৰ লোকসকলক আৰু
যিৰূচালেম-নিবাসীসকলক কোৱাগৈ, যিহোৱাই এইদৰে কৈছে, “চোৱা,
মই তোমালোকৰ বিৰুদ্ধে মঙ্গল-চিন্তা কৰিছোঁ। আৰু তোমালোকৰ
অহিতে কল্পনা কৰিছোঁ; তোমালোক প্ৰতিজনে নিজ নিজ কু-পথৰ পৰা
ওলটা, নিজ নিজ পথ আৰু কাৰ্য শুধৰোৱা।” ১২ কিন্তু তেওঁলোকে কয়,
‘কি কাম আছে? কিয়নো আমি নিজ নিজ কল্পনা অনুসাৰে চলিম, আৰু
প্ৰতিজনে নিজ নিজ দুষ্ট মনৰ কঠিনতা অনুসাৰে কাৰ্য কৰিম’।” ১৩ এই
হেতুকে যিহোৱাই এইদৰে কৈছে: “তোমালোকে এতিয়া জাতি সমূহৰ
মাজত সোধা, এনে কথা কোনে শুনিলে? কুমাৰী ইস্ৰায়েলে অতিশয়
নোম শিয়ৰি যোৱা কাৰ্য কৰিলে। ১৪ লিবানোনৰ হিমে জানো দেশৰ
মাজত থকা এই পৰ্ব্বতকেইটাক ত্যাগ কৰে? বা দূৰৰ পৰা বৈ অহা
শীতল জলৰ জুৰি জানো শুকায়? ১৫ কিয়নো মোৰ প্ৰজাসকলে মোক
পাহৰিলে, তেওঁলোকে অসাৰ দেৱতাবোৰৰ উদ্দেশ্যে ধুপ জ্বলালে; আৰু
তেওঁলোকৰ দেশ আচৰিতৰ আৰু সদায় ইচ্ ইচ্ কৰাৰ বিষয় কৰিবৰ

বাবে, ১৬ নবন্ধা পথ সৰু সৰু বাটত ফুৰাবলৈ সেইবোৰে তেওঁলোকৰ
বাটত, প্ৰাচীন পথত উজুটি খুৱালে। যি কোনোৱে সেই দেশেদি যাব,
তেওঁ আচৰিত হৈ নিজৰ মূৰ জুকাৰিব। ১৭ মই পূব ফালৰ বতাহৰ
দৰে শত্ৰূবোৰৰ আগত তেওঁলোকক চিন্ন-ভিন্ন কৰিম; তেওঁলোকৰ
সঙ্কটৰ কালত মই তেওঁলোকক মুখ নেদেখুৱাই পিঠি দেখুৱাম। ১৮
তেতিয়া তেওঁলোকে ক'লে, 'আহাঁ, আমি যিৰিমিয়াৰ অহিতে কু-
মন্ত্ৰণা কৰোঁহক; কিয়নো পুৰোহিতৰ পৰা ব্যৱস্থা, জ্ঞানীসকলৰ পৰা
মন্ত্ৰণা আৰু ভাববাদীৰ পৰা বাক্য লুপ্ত নহ'ব; আহাঁ, আমি জিভাৰে
তাক প্ৰহাৰ কৰোঁ, তাৰ কোনো বাক্যত মন নিদিওঁ। ১৯ হে যিহোৱা!
মোলৈ মন দিয়া, আৰু মোৰ বিপক্ষবোৰৰ কথা শুনা। ২০ উপকাৰৰ
সলনি জানো অপকাৰ কৰা যাব? কিয়নো তেওঁলোকে মোৰ প্ৰাণলৈ
গাত খানিলে; মই তেওঁলোকৰ পক্ষে হিত কথা কৈ তেওঁলোকৰ পৰা
তোমাৰ ক্ৰোধ থমাবলৈ, তোমাৰ আগত কেনেকৈ থিয় হৈছিলোঁ, তাক
সোঁৱৰণ কৰা। ২১ এই হেতুকে তুমি তেওঁলোকৰ সন্তান সকলক
দুৰ্ভিক্ষত সমৰ্পণ কৰা, আৰু তেওঁলোকক তৰোৱালৰ হাতত শোধাই
দিয়া; তেওঁলোকৰ স্ত্ৰীসকল পুত্ৰহীনা আৰু বিধৱা হওঁক, তেওঁলোকৰ
পুৰুষবোৰ মহামাৰীত মৰক, আৰু তেওঁলোকৰ ডেকাবোৰ যুদ্ধত
তৰোৱালৰ দ্বাৰাই হত হওঁক। ২২ তুমি তেওঁলোকলৈ অকস্মাতে সৈন্য
এদল আনিলে তেওঁলোকৰ ঘৰবোৰৰ পৰা এটি চিঞঁৰ শুনা যাওঁক;
কিয়নো তেওঁলোকে মোক ধৰিবলৈ এটা গাত খানিলে, আৰু মোৰ
ভৰিলৈ ফান্দ পাতিলে! ২৩ তথাপি হে যিহোৱা, মোক বধ কৰাবলৈ
মোৰ অহিতে কৰা তেওঁলোকৰ সকলো মন্ত্ৰণা তুমি জানি আছা। তুমি
তেওঁলোকৰ অপৰাধ ক্ষমা নকৰিবা, নাইবা তেওঁলোকৰ পাপ তোমাৰ
দৃষ্টিৰ পৰা মচি নেপেলাবা; কিন্তু তেওঁলোকক তোমাৰ আগত উজুটি
খুৱাই পেলোৱা হওঁক, তুমি নিজ ক্ৰোধৰ সময়ত তেওঁলোকলৈ কাৰ্য
কৰা।

**১৯** যিহোৱাই এই কথা ক'লে, "তুমি গৈ কুমাৰৰ এটা টেকেলি
কিনা, আৰু প্ৰজাসকলৰ জনচাৰেক ও পুৰোহিতসকলৰ জনচাৰেক
বৃদ্ধ লোকসকল ২ খোলা-কটি পৰি থকা দুৱাৰৰ সোমোৱা ঠাইৰ

ওচৰত থকা হিন্নোমৰ পুতেকৰ উপত্যকালৈ ওলাই যোৱা, আৰু মই
তোমাক বাক্য কম, তাত এই বাক্য প্ৰচাৰ কৰিবা; ৩ আৰু ক'বা,
'হে যিহূদাৰ ৰজাসকল, হে যিৰূচালেম-নিবাসীসকল! যিহোৱাৰ বাক্য
শুনা, ইস্ৰায়েলৰ ঈশ্বৰ বাহিনীসকলৰ যিহোৱাই এইদৰে কৈছে: চোৱা!
মই ঠাইলৈ অমঙ্গল ঘটাম; যেয়ে তাক শুনিব, তাৰেই নোম শিয়ৰি
উঠিব। ৪ তেওঁলোকে মোক ত্যাগ কৰিলে, এই ঠাই বিজাতীয় ঠাই
কৰিলে, আৰু তেওঁলোক, তেওঁলোকৰ পূৰ্বপুৰুষসকল আৰু যিহূদাৰ
ৰজাসকলে নজনা ইতৰ দেৱতাবোৰৰ উদ্দেশ্যে এই ঠাইত ধূপ জ্বলালে
আৰু নিৰ্দ্দোষী লোকসকলৰ তেজেৰে এই ঠাই পৰিপূৰ্ণ কৰিলে। ৫
তেওঁলোকে বালৰ উদ্দেশ্যে হোম-বলিস্বৰূপে নিজ নিজ পুতেকসকলক
জুইত পুৰিবলৈ, বালৰ কাৰণে ওখ ঠাইবোৰ সাজিলে, ইয়াক মই আজ্ঞা
কৰা নাছিলোঁ, কোৱা নাছিলোঁ, বা মোৰ মনত উদয়ো হোৱা নাছিল। ৬
এই কাৰণে যিহোৱাই কৈছে, চোৱা, "যি দিনা এই ঠাই তোফৎ, বা
হিন্নোমৰ পুতেকৰ উপত্যকা বুলি আৰু প্ৰখ্যাত হ'ব, এনে দিন আহিছে।
৭ আৰু মই এই ঠাইত যিহূদাৰ আৰু যিৰূচালেমৰ মন্ত্ৰণা ব্যৰ্থ কৰিম আৰু
শত্ৰূবোৰৰ আগত তৰোৱালৰ দ্বাৰাই, আৰু তেওঁলোকৰ প্ৰাণ লবলৈ
বিচাৰি ফুৰাবোৰৰ হাতৰ দ্বাৰাই তেওঁলোকক পতিত কৰোৱাম, আৰু
তেওঁলোকৰ শৱ আকাশৰ চৰাইবোৰক আৰু পৃথিৱীত ফুৰা জন্তুবোৰক
খাবলৈ দিম। ৮ আৰু তেতিয়া মই এই নগৰ বিস্ময় মনাৰ আৰু ইচ্ ইচ্
কৰাৰ বিষয় কৰিম; যি কোনোৱে তাৰ ওচৰেদি যাব, তেওঁ বিস্ময়
মানিব, আৰু তালৈ ঘটা আটাই মহামাৰীৰ উৎপাত দেখি ইচ্ ইচ্
কৰিব। ৯ আৰু নগৰ অৱৰোধ কৰা সময়ত, শত্ৰূবোৰৰ আৰু প্ৰাণ
লবলৈ বিচাৰি ফুৰাবোৰৰ দ্বাৰাই ঘটা সঙ্কটৰ কালত, মই তেওঁলোকক
নিজ নিজ পো-জীৰ মাংস ভোজন কৰিব আৰু তেওঁলোকে নিজ নিজ
বন্ধুৰ মাংস খাব'।" ১০ পাছে তোমাৰ লগত যোৱা পুৰুষসকলৰ আগতে
তুমি সেই টেকেলিতো ভাঙি পেলাবা, ১১ আৰু তেওঁলোকক ক'বা,
বাহিনীসকলৰ যিহোৱাই এইদৰে কৈছে, "কুমাৰৰ যি পাত্ৰ ভাঙিলে
পুনৰায় বনাব নোৱাৰে, এনে পাত্ৰ ভঙাৰ দৰে মই এই জাতি আৰু এই
নগৰ ভাঙি পেলাম; তাতে তোফতত পুতিবলৈ ঠাই নোহোৱালৈকে

তেওঁলোকে তাত মৰা শৱ পুতি থাকিব। ১২ যিহোৱাই কৈছে, মই এই
ঠাইলৈ, আৰু ইয়াৰ নিবাসীসকললৈ এইদৰেই কৰিম, এনে কি, মই
এই নগৰ তোফতৰ নিচিনা কৰিম। ১৩ গতিকে যিৰূচালেমৰ আৰু
যিহূদাৰ ৰজাসকলৰ অশুচি কৰা ঘৰবোৰ, এনে কি, যি ঘৰবোৰৰ
চালত তেওঁলোকে আকাশ-মণ্ডলৰ বাহিনীসকলৰ উদ্দেশ্যে ধূপ জ্বলায়,
আৰু ইতৰ দেৱতাবোৰৰ উদ্দেশ্যে পেয় নৈবেদ্য ঢালে, সেই ঘৰবোৰ
তোফতৰ ঠাইৰ নিচিনা হ'ব'।" ১৪ পাছে যিহোৱাই যিৰিমিয়াক
ভাববাণী প্ৰচাৰ কৰিবৰ অৰ্থে যি তোফতলৈ পঠাইছিল, তাৰ পৰা তেওঁ
আহি যিহোৱাৰ গৃহৰ চোতালত থিয় হৈ আটাই লোকসকলক ক'লে:
১৫ "ইস্ৰায়েলৰ ঈশ্বৰ বাহিনীসকলৰ যিহোৱাই এই কথা কৈছে: 'চোৱা,
মই এই নগৰ আৰু তাৰ সকলো উপনগৰৰ ওপৰত, তাৰ বিৰুদ্ধে
মই কোৱা সকলো অমঙ্গল ঘটাম; কাৰণ, মোৰ বাক্য নুশুনিবৰ বাবে
তেওঁলোকে নিজ নিজ ডিঙি ঠৰ কৰিলে'।"

২০ যিহোৱাৰ গৃহৰ প্ৰধান অধ্যক্ষ ইম্মেৰৰ পুতেক পুৰোহিত পচহুৰে
যিৰিমিয়াৰ এইবোৰ ভাববাণী প্ৰচাৰ কৰা শুনি, ২ তেওঁ যিৰিমিয়া
ভাববাদীক প্ৰহাৰ কৰি, যিহোৱাৰ গৃহত থকা ওপৰ-দুৱাৰৰ কুন্দাত
বন্ধ কৰি ৰাখিলে। ৩ পাছদিনা পচহুৰে যিৰিমিয়াক কুন্দৰ পৰা
মুকলি কৰি উলিয়াই আনিলত, যিৰিমিয়াই তেওঁক ক'লে, "যিহোৱাই
তোমাৰ নাম পচহুৰ ৰখা নাই, কিন্তু মাগোৰ-মিছাবীব ৰাখিলে। ৪
কিয়নো যিহোৱাই এই কথা কৈছে: 'চোৱা!, মই তোমাৰ পক্ষে, আৰু
তোমাৰ আটাই বন্ধুৰ পক্ষে তোমাক ত্ৰাসৰ বিষয় কৰিম; কিয়নো
তেওঁলোক শত্ৰুবোৰৰ তৰোৱালত পতিত হ'ব, আৰু তুমি তাক নিজ
চকুৰে দেখিবলৈ পাবা। আৰু মই গোটেই যিহূদাক বাবিলৰ ৰজাৰ
হাতত সমৰ্পণ কৰিম। তেওঁ তেওঁলোকক বন্দী কৰি বাবিললৈ নিব, বা
তৰোৱালেৰে আক্ৰমণ কৰিব। ৫ ইয়াত বাজে মই এই নগৰৰ সকলো
সম্পত্তি আৰু তাৰ আটাই পৰিশ্ৰমৰ ফল, আৰু আটাই বহুমুল্য বস্তু,
এনে কি, যিহূদাৰ ৰজাসকলৰ সমস্ত ভঁৰালৰ উত্তম দ্ৰব্য তেওঁলোকৰ
শত্ৰূবোৰৰ হাতত সমৰ্পণ কৰিম; তেওঁলোকে সেইবোৰ লুট কৰি
বাবিললৈ লৈ যাব। ৬ আৰু হে পচহুৰ, তুমি আৰু তোমাৰ গৃহবাসী

সকলোৱেই বন্দী-অৱস্থালৈ যাব, আৰু তুমি বাবিললৈ গৈ তাত মৰিবা;
আৰু তাত তোমাক, আৰু তুমি যিসকলৰ আগত মিছাকৈ ভাববাণী
প্ৰচাৰ কৰিছিলা, তোমাৰ সেই সকলো বন্ধুক পোতা যাব। ৭ হে
যিহোৱা, তুমি মোৰ প্ৰবৃত্তি জন্মোৱাতহে মোৰ প্ৰবৃত্তি জন্মিল; তুমি
মোতকৈ বলৱান, এই কাৰণে তুমি মোক বলে পাৰিলা। মই ওৰে
দিনটো হাঁহিয়াতৰ বিষয় হৈছোঁ, সকলোৱে মোক ঠাট্টা কৰে। ৮
কিয়নো মই যিমানবাৰ কথা কওঁ, সিমানবাৰ মই চিঞৰোঁ, ‘মই
অত্যাচাৰ আৰু অপহৰণ’ বুলি চিঞৰোঁ। কাৰণে যিহোৱা বাক্য মোৰ
পক্ষে ওৰে দিনটো নিন্দা আৰু উপহাসৰ কাৰণ হৈছে। ৯ আৰু যদি
মই কওঁ, যে, ‘মই যিহোৱাক আৰু উল্লেখ নকৰোঁ; বা তেওঁৰ নামেৰে
আৰু নকওঁ’, তেনেহ’লে মোৰ হাড়বোৰত বন্ধ কৰা জ্বলি থকা জুই
যেন মোৰ অন্তৰত লাগে; মই সহি সহি ক্লান্ত হ’লো, সহি আৰু থকিব
নোৱাৰোঁ। ১০ কিয়নো অনেকে দুৰ্ণাম কৰা মই শুনিলোঁ; চাৰিওফালে
ত্ৰাস: ‘তোমালোকে তাৰ বিৰুদ্ধে কথা কোৱা, আৰু আমিও তাৰ বিৰুদ্ধে
কথা কম,’ মই উজুটি খাবলৈ বাট চাই থকা মোৰ সকলো বন্ধু কয়,
“কিজানি তাক ভুলুৱা যাব, তাতে আমি তাক বলে পাৰিম, আমি
তাৰ ওপৰত প্ৰতিকাৰ সাধিম।’ ১১ কিন্তু যিহোৱা ভয়ানক বীৰৰ
নিচিনাকৈ মোৰ সঙ্গত থাকে, সেইবাবে মোৰ তাড়নাকাৰীসকলে উজুটি
খাব। আৰু তেওঁলোক কৃতকাৰ্য্য নহ’ব। তেওঁলোকে জ্ঞানেৰে সৈতে
ব্যৱহাৰ নকৰাত অতিশয় লাজ পাব; সেই অপমান কেতিয়াও পাহৰা
নাযাব, চিৰকাললৈকে থাকিব। ১২ কিন্তু ধাৰ্মিকক পৰীক্ষা কৰোঁতা,
মৰ্ম্ম আৰু হৃদয় দেখোঁতা হে বাহিনীসকলৰ যিহোৱা, তেওঁলোকৰ
ওপৰত তেওঁলোকে সধা প্ৰতিকাৰ তুমি মোক দেখিবলৈ দিয়া; কিয়নো
তোমাৰ আগতহে মোৰ গোচৰ সমৰ্পণ কৰিলোঁ। ১৩ তোমালোকে
যিহোৱাৰ উদ্দেশ্যে গান কৰা! যিহোৱাৰ প্ৰশংসা কৰা! কাৰণ তেওঁ
দুৰাচাৰীবোৰৰ হাতৰ পৰা দৰিদ্ৰ লোকৰ প্ৰাণ উদ্ধাৰ কৰিলে। ১৪ মই
যি দিনা জন্মিছিলোঁ, সেই দিন অভিশপ্ত হওঁক। মোৰ মাতৃয়ে যি দিনা
মোক প্ৰসৱ কৰিছিল, সেই দিন আশীৰ্ব্বাদহীন হওঁক। ১৫ তোমাৰ পুত্ৰ
সন্তান জন্মিল বুলি যি মানুহে মোৰ পিতৃক সম্বাদ দি আনন্দ কৰিছিল,

তেৰোঁ অভিশপ্ত হওঁক। ১৬ সেই মানুহ, যিহোৱাই ক্ষমা নকৰি উৎপাত
কৰা নগৰ কেইখনৰ নিচিনা হওঁক। তেওঁ ৰাতিপুৱা চিঞৰ আৰু দুপৰ
বেলা উচ্চ-ধ্বনি শুনক। ১৭ কাৰণ সি গৰ্ভতে মোক মাৰি নেপেলালে;
তাকে কৰা হ'লে, মোৰ মাতৃয়েই মোৰ মৈদাম হ'লহেতেন, আৰু তেওঁৰ
গৰ্ভ সদায় ভাৰী হৈ থাকিলহেতেন। ১৮ মোৰ দিন লাজেৰে অন্ত
হবৰ বাবে, পৰিশ্ৰম আৰু শোক দেখিবলৈ মই কিয় গৰ্ভৰ পৰা বাহিৰ
হলোঁ?”

**২১** চিদিকিয়া ৰজাই মল্কীয়াৰ পুত্ৰ পচহুৰক, আৰু মাচেয়া পুত্ৰ
চফনিয়া পুৰোহিতক যিৰিমিয়াৰ ওচৰলৈ পঠোৱা সময়ত যিহোৱাৰ
পৰা যিৰিমিয়াৰ গুৰিলৈ অহা বাক্য আহিল আৰু এইবুলি ক'লে, ২
“মিনতি কৰোঁ, তুমি আমাৰ কাৰণে যিহোৱাৰ আগত সোধা; কিয়নো
বাবিলৰ ৰজা নবূখদনেচৰে আমাৰ বিৰুদ্ধে যুদ্ধ কৰিছে; তেওঁ আমাৰ
ওচৰৰ পৰা গুচি যাবৰ কাৰণে কিজানি যিহোৱাই নিজৰ সকলো
আচৰিত কাৰ্য অনুসাৰে আমালৈ ব্যৱহাৰ কৰিব।” ৩ সেই সময়ত
যিৰিমিয়াই তেওঁলোকক ক'লে, “তোমালোক চিদিকিয়াক এইদৰে
ক'বাগৈ: ৪ ‘ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাই এই কথা কৈছে: “চোৱা,
বাবিলৰ ৰজাৰ বিৰুদ্ধে, আৰু গড়ৰ বাহিৰে তোমালোকক অৱৰোধ
কৰোঁতা কলদীয়াসকলৰ বিৰুদ্ধে যুদ্ধ কৰা তোমালোকৰ হাতৰ যুদ্ধাস্ত্ৰৰ
মুখ ঘূৰাম আৰু তেওঁলোকক আনি এই নগৰৰ মাজ ঠাইত গোটাম।
৫ আৰু মই নিজেও, মেলি থকা হাত আৰু বলৱান বাহুৰে, এনে কি,
খং-ৰাগ আৰু মহাকোপেৰে তোমালোকৰ বিৰুদ্ধে যুদ্ধ কৰিম। ৬
মই এই নগৰৰ নিবাসী মানুহ, পশু, সকলোকে সংহাৰ কৰিম; সেই
সকলোৱে ঘোৰ মহামাৰীত প্ৰাণত্যগ কৰিব। ৭ যিহোৱাই আৰু কৈছে,
“তাৰ পাছত মই যিহূদাৰ ৰজা চিদিকিয়াক, তেওঁৰ পাত্ৰমন্ত্ৰীসকলক,
আৰু প্ৰজাসকলক, এনে কি, মহামাৰী, তৰোৱাল আৰু আকালৰ
পৰা এই নগৰত অৱশিষ্ট থকাসকলক বাবিলৰ ৰজা নবূখদনেচৰৰ,
তেওঁলোকৰ শত্ৰু, তেওঁলোকৰ প্ৰাণ বিচৰাবোৰৰ হাতত শোধাই দিম;
তেওঁ তৰোৱালৰ ধাৰেৰে তাক বধ কৰিব, তেওঁলোকক কৃপা, ক্ষমা কি
দয়া নকৰিব'।” ৮ তেতিয়া তুমি এই লোকসকলক কোৱা, ‘যিহোৱাই

এইদৰে কৈছে, “চোৱা, মই তোমালোকৰ আগত জীৱনৰ পথ আৰু
মৃত্যুৰ পথ ৰাখিছোঁ। ৯ যি মানুহ এই নগৰত থাকিব, তেওঁ তৰোৱাল,
আকাল, বা মহামাৰীত মৰা পৰিব; কিন্তু যি মানুহে বাহিৰলৈ গৈ,
তোমালোকক অৱৰোধ কৰোঁতা কলদীয়াসকলৰ ফলিয়া হ'বলৈ ওলাই
যাব, তেওঁ জীৱ, আৰু তেওঁৰ প্ৰাণ তেওঁলৈ লুটদ্ৰব্য যেন হ'ব। ১০
কিয়নো যিহোৱাই কৈছে, মই মঙ্গলৰ বাবে নহয়, কিন্তু অমঙ্গলৰ
বাবেহে এই নগৰৰ অহিতে মুখ কৰিছোঁ; ইয়াক বাবিলৰ ৰজাৰ হাতত
দিয়া যাব, আৰু তেওঁ ইয়াক অগ্নিৰে দগ্ধ কৰিব'।” ১১ আৰু যিহূদাৰ
ৰাজ-বংশৰ বিষয়ে তোমালোকে যিহোৱাৰ বাক্য শুনা। ১২ হে দায়ুদৰ
বংশ, যিহোৱাই এইদৰে কৈছে: 'তোমালোকে প্ৰতি ৰাতিপুৱা বিচাৰ
নিস্পত্তি কৰা। আৰু অপহাৰিত জনাক উপদ্ৰৱকাৰীৰ হাতৰ পৰা উদ্ধাৰ
কৰা। নতুবা তোমালোকৰ দুষ্টতাৰ কাৰণে মোৰ ক্ৰোধ অগ্নি দৰে
ওলাই কোনেও নুমাব নোৱাৰাকৈ দগ্ধ কৰিব। ১৩ যিহোৱাই কৈছে,
চোৱা, হে উপত্যকাত থকা লোক! হে সমথলৰ পৰ্ব্বত-নিবাসীনী,
চোৱা, মই তোমাৰ বিপক্ষ “আমাৰ বিৰুদ্ধে কোন নামি আহিব? 'আমাৰ
বাসস্থানবোৰত কোন সোমাব?” এই বুলি কোৱা যি তোমালোক, মই
তোমালোকৰ বিপক্ষ?' ১৪ যিহোৱাই কৈছে, মই তোমালোকৰ কৰ্মফল
অনুসাৰে তোমালোকক দণ্ড দিম। “মই যিৰূচালেমৰ কাঠনিত জুই
লগাম, তেতিয়া সেয়ে তাৰ চাৰিওফালে থকা সকলোকে গ্ৰাস কৰিব।”

২২ যিহোৱাই এইদৰে ক'লে: “তুমি যিহূদাৰ ৰাজগৃহলৈ গৈ সেই
ঠাইত এই কথা ঘোষণা কৰা। ২ কোৱা, 'হে দায়ুদৰ সিংহাসনত
বহোঁতা যিহূদাৰ ৰজা, তুমি, তোমাৰ মন্ত্ৰী আৰু এই দুৱাৰবোৰত
সোমোৱা তোমাৰ প্ৰজা, এই আটাইয়ে যিহোৱাৰ বাক্য শুনা।” ৩
যিহোৱাই এইদৰে কৈছে: “তোমালোকে ন্যায় বিচাৰ আৰু ধাৰ্মিকতা
সিদ্ধ কৰা আৰু অপহাৰিত জনাক উপদ্ৰৱকাৰীৰ হাতৰ পৰা উদ্ধাৰ কৰা;
বিদেশী, পিতৃহীন বা বিধৱাক অপকাৰ আৰু অত্যাচাৰ নকৰিবা নাইবা
এই ঠাইত নিৰ্দ্দোষীৰ ৰক্তপাত নকৰিবা। ৪ কিয়নো, তোমালোকে
যদি এই কথা যত্নেৰে পালন কৰা, তেন্তে দায়ুদৰ সিংহাসনত বহোঁতা
ৰজাসকলে ৰথত আৰু ঘোঁৰাত উঠি প্ৰতিজনে মন্ত্ৰী আৰু প্ৰজাৰে সৈতে

এই গৃহৰ দুৱাৰবোৰেদি সোমাব!  ৫ কিন্তু তোমালোকে যদি এইবোৰ
বাক্য নুশুনা," তেন্তে যিহোৱাই কৈছে, "মই মোৰ নামেৰে শপত খাই
কৈছোঁ, তেনেহ'লে এই গৃহ উচ্ছন্ন ঠাই হব।  ৬ কিয়নো যিহোৱাই
যিহূদাৰ ৰাজগৃহৰ বিষয়ে এই কথা কৈছে: 'তুমি মোৰ বিবেচনাত
গিলিয়দ আৰু লিবানোনৰ ওখ ভাগৰ দৰে হলেও, নিশ্চয়ে মই তোমাক
মৰুভূমিত, আৰু নিবাসী নোহোৱা নগৰবোৰৰ দৰে কৰিম।  ৭ আৰু মই
তোমাৰ অহিতে নিজ নিজ অস্ত্ৰেৰে সৈতে বিনাশক লোকসকল যুগুত
কৰিম তেওঁ লোকে তোমাৰ উত্তম উত্তম গছবোৰ কাটি জুইত পেলাই
দিব।  ৮ আৰু অনেক জাতিয়ে এই নগৰৰ ওচৰেদি যাওঁতে ইজনে
সিজনক কব, "যিহোৱাই এই মহানগৰলৈ কিয় এনে ব্যৱহাৰ কৰিলে?"
৯ তেতিয়া তেওঁলোকে উত্তৰ কৰিব, "কাৰণ ইয়াৰ লোকসকলে ঈশ্বৰ
যিহোৱাৰ নিয়মটি ত্যাগ কৰি ইতৰ দেৱতাবোৰৰ আগত প্ৰণিপাত
কৰিছিল, আৰু সেইবোৰক সেৱাপূজা কৰিছিল।"  ১০ তোমালোকে মৃত
জনৰ বাবে নাকান্দিবা, আৰু সেইজনৰ বাবে বিলাপ নকৰিবা; কিন্তু
দূৰলৈ যোৱা মানুহজনৰ নিমিত্তে বৰকৈ ক্ৰন্দন কৰা, কিয়নো তেওঁ
আৰু উলটি নাহিব, বা নিজৰ জন্ম দেশ আৰু নেদেখিব'"।"  ১১ কাৰণ,
যিহূদাৰ যোচিয়া ৰজাৰ পুতেক যি চল্লুম তেওঁৰ পিতৃ যোচিয়াৰ পদত
ৰজা হৈছিল, আৰু এই ঠাইৰ পৰা গল, তেওঁৰ বিষয়ে যিহোৱাই এইদৰে
কৈছে, তেওঁ এই ঠাইলৈ আৰু উলটি নাহিব;  ১২ কিন্তু তেওঁলোকে যি
ঠাইলৈ তেওঁক বন্দী কৰি নিলে, সেই ঠাইতে মৰিব, এই দেশ আৰু
নেদেখিব।"  ১৩ যি জনে অধৰ্মৰ দ্বাৰাই নিজ গৃহ, আৰু অন্যায়ৰ দ্বাৰাই
নিজৰ ওপৰ-কোঁঠালি সাজে, যি জনে বেচ নিদিয়াকৈ নিজৰ ওচৰ-
চুবুৰীয়াক বন্দী-কাম কৰোৱায়, আৰু তাৰ শ্ৰমৰ ফল তাক নিদিয়ে।  ১৪
যিজনে নিজৰ বাবে এটা ডাঙৰ ঘৰ, আৰু বহল ওপৰ-কোঁঠালি সাজোঁ
বুলি কয়, আৰু নিজৰ বাবে খিড়িকি দুৱাৰ কাটে, আৰু ভিতৰ ফালে
ওপৰত এৰচ কাঠ লগায়, আৰু সেন্দুৰ বৰণীয়া ৰং দিয়ে, তাৰ সন্তাপ
হব।"  ১৫ এৰচ কাঠৰ কথাত জিকিবলৈ চেষ্টা কৰাৰ কাৰণে জানো
তুমি ৰাজত্ব কৰি থাকিবা? তোমাৰ পিতৃয়ে জানো ভোজন-পান কৰা
আৰু বিচাৰ ও ন্যায় সিদ্ধ কৰা নাছিল? তাতে তেওঁৰ মঙ্গল হৈছিল।

১৬ তেওঁ দুখী-দৰিদ্ৰৰ বিচাৰ কৰাতে তেওঁৰ মঙ্গল হৈছিল; যিহোৱাই
কৈছে, মোক জনাৰ প্ৰমাণ এয়ে নাছিল নে? ১৭ কিন্তু তোমাৰ চকু আৰু
মন; নিজৰ লাভ বিচৰাত বাজে, আৰু নিৰ্দ্দোষীত ৰক্তপাত কৰাত, আৰু
আনক উপদ্ৰৱ ও অত্যাচাৰ কৰাত বাজে আন একোতো নালাগে।
১৮ এই হেতুকে যোচিয়াৰ পুত্ৰ যিহূদাৰ ৰজা যিহোয়াকীমৰ বিষয়ে
যিহোৱাই এইদৰে কৈছে: “হায় হায় মোৰ ভাই! বা হায় হায় মোৰ
ভগ্নী!” এই বুলি লোকে তেওঁৰ বিষয়ে বিলাপ নকৰিব; আৰু হায় হায়
মোৰ প্ৰভু, বা “হায় হায় তেওঁৰ গৌৰৱ, এনে বুলি বিলাপ নকৰিব!” ১৯
লোকে তেওঁক টানি নি যিৰূচালেমৰ দুৱাৰৰ বাহিৰে দূৰত পেলাই দি
গাধ পোতাৰ দৰে পুতিব। ২০ তুমি লিবানোনত উঠি চিঞৰা; আৰু
বাচানত বৰকৈ মাতা, আৰু অবাৰীমৰ পৰা চিঞৰা, কিয়নো তোমাক
প্ৰেম কৰোঁতা আটাইবিলাক বিনষ্ট হল। ২১ তোমাৰ মঙ্গলৰ সময়ত
মই তোমাক কৈছিলোঁ; কিন্তু তুমি, “মই নুশুনো” বুলি ক’লা। তুমি যে
মোৰ বাক্য পালন নকৰা, এয়ে লৰা কালৰে পৰা তোমাৰ দস্তুৰ। ২২
বতাহে তোমাৰ মেৰ-ছাগ ৰখীয়াবোৰক চলাই নিব, তোমাক প্ৰেম কৰা
সকলোৱে বন্দী-অৱস্থালৈ যাব। তেতিয়া অৱশ্যে তুমি তোমাৰ দুষ্টতাৰ
বাবে লাজ পাবা আৰু বিবৰ্ণ হবা। ২৩ এৰচ কাঠৰ মাজত নিজৰ
বাহ সজা হে লিবানোন-বাসিনী, তেতিয়া যাতনাই, প্ৰসৱকাৰিণীৰ
বেদনাৰ দৰে বেদনাই তোমাক আক্ৰমণ কৰিব, তেতিয়া তুমি কিমান
বেছিকৈ কৃপাৰ যোগ্য হবা।” ২৪ যিহোৱাই কৈছে, “মোৰ জীৱনৰ
শপত”, “যিহূদাৰ ৰজা যিহোয়াকীমৰ পুত্ৰ কনিয়া মোৰ সোঁ হাতত
থকা মোহৰৰ দৰে হলেও, মই তোমাক তাৰ পৰা খহাই পেলাম।
২৫ আৰু মই তোমাক তোমাৰ প্ৰাণ বিচৰাবোৰৰ হাতত, আৰু তুমি
ভয় কৰাবোৰৰ হাতত, এনে কি, বাবিলৰ ৰজা নবূখদনেচৰৰ আৰু
কলদীয়াসকলৰ হাতত শোধাই দিম। ২৬ তোমাক আৰু তোমাক
জন্মোৱা মাতৃক, তোমালোক নজনা আন দেশত পেলাই দিম। সেই
ঠাইতে তোমালোক মৰিবা। ২৭ তেওঁলোকৰ মনে যি দেশলৈ আহিবলৈ
হাবিয়াহ কৰে, সেই দেশলৈ তেওঁলোক উলটি নাহিব। ২৮ এই পুৰুষ
কনিয়া ঘৃনিত ভগ্ন পাত্ৰ নে? ইয়াক আৰু ইয়াৰ বংশক কিয় বাহিৰলৈ

পেলোৱা হৈছে? তেওঁলোকে নজনা দেশত এওঁলোকক কিয় পেলোৱা
হৈছে? ২৯ হে পৃথিৱী, হে পৃথিৱী, হে পৃথিৱী! যিহোৱাৰ বাক্য শুনা।
যিহোৱাই এইদৰে কৈছে, "তোমালোকে এই মানুহ সন্তানহীন বুলি,
ইয়াৰ দিনত উন্নতি কৰিব নোৱাৰা মানুহ বুলি লিখা। ৩০ কিয়নো
ইয়াৰ বংশৰ কোনো মানুহ দায়ুদৰ সিংহাসনত বহিবলৈ, আৰু যিহূদাত
শাসন কৰিবলৈ, কৃতকাৰ্য্য নহব।"

২৩ "যি ৰখীয়াবোৰে চৰণীয়া ঠাইৰ জাকৰ মেৰ-ছাগবোৰক নষ্ট
আৰু ছিন্ন-ভিন্ন কৰে, সিহঁতৰ সন্তাপ হব" এয়ে যিহোৱাৰ বচন। ২ এই
হেতুকে মোৰ প্ৰজাসকলক চৰাওঁতা মেৰ-ছাগ ৰখীয়াবোৰৰ বিৰুদ্ধে
ইস্রায়েলৰ ঈশ্বৰ যিহোৱাই এইদৰে কৈছে: "তোমালোকে মোৰ মেৰ-
ছাগৰ জাকক গোট গোট কৰিলা, সেইবোৰক খেদাই দিলা, আৰু
সেইবোৰৰ বিচাৰ নললা; যিহোৱাই কৈছে, চোৱা! মই তোমালোকৰ
কাৰ্যৰ দুষ্টতাৰ ফল তোমালোকক দিম। ৩ আৰু যি যি দেশলৈ মই মোৰ
জাকক খেদিলোঁ, তাৰ পৰা তেওঁলোকৰ অৱশিষ্ট ভাগ গোটাম, আৰু
পুনৰায় তেওঁলোকৰ গঁৰাললৈ তেওঁলোকক আনিম; তাতে তেওঁলোক
প্ৰজাৱন্ত হৈ বহুবংশ হব। ৪ যি মেৰ-ছাগৰ ৰখিয়াসকলে তেওঁলোকক
চৰাব, মই তেওঁলোকৰ ওপৰত এনে ৰখীয়াসকলক নিযুক্তি কৰিম;
তেতিয়া তেওঁলোকে আৰু ভয় নকৰিব আৰু বিহবল নহব; আৰু
তেওঁলোকৰ মাজৰ কোনো নাইকিয়া নহব", ইয়াকে যিহোৱাই কৈছে।
৫ যিহোৱাই কৈছে, "চোৱা, যি সময়ত মই দায়ুদৰ বংশত এক ধাৰ্মিক
গজালি উৎপন্ন কৰিম এনে কাল আহিছে। তেওঁ ৰজা হৈ ৰাজত্ব
কৰিব, জ্ঞানেৰে সৈতে কাৰ্য কৰিব, আৰু দেশত বিচাৰ ও ন্যায় সিদ্ধ
কৰিব। ৬ তেওঁৰ কালত যিহূদাই পৰিত্ৰাণ পাব, ইস্রায়েলে নিৰাপদে
বাস কৰিব। আৰু "যিহোৱাই আমাৰ ধাৰ্মিকতা," এই নামেৰে তেওঁ
প্ৰখ্যাত হব। ৭ এই হেতুকে যিহোৱাই কৈছে, "চোৱা, এনে কোনো
দিন আহিছে," যে, 'সেই দিনা তেওঁলোকে আৰু নকব, যি জনাই
ইস্রায়েলৰ সন্তান সকলক মিচৰ দেশৰ পৰা উলিয়াই আনিলে, সেই
'যিহোৱাৰ জীৱনৰ শপত'; ৮ কিন্তু এনেকৈ কব, যে, "যি জনাই
ইস্রায়েল বংশত জন্মা সন্তান সকলক উত্তৰ দেশৰ পৰা; আৰু যি যি

দেশলৈ মই তেওঁলোকক খেদিছিলোঁ, সেই সকল দেশৰ পৰা উলিয়াই
চলাই লৈ আহিলে সেই যিহোৱাৰ জীৱনৰ শপত।' তথাপি তেওঁলোকে
নিজৰ দেশত নিবাস কৰিব। ৯ ভাববাদীবোৰৰ বিষয়। মোৰ অন্তৰত
মোৰ হৃদয় ভগ্ন হ'ল, আৰু মোৰ আটাই হাড়বোৰ কঁপিছে; যিহোৱাৰ
কাৰণে আৰু তেওঁৰ পবিত্ৰ বাক্যৰ কাৰণে মই মতলীয়া লোকৰ দৰে,
এনে কি, দ্ৰাক্ষাৰসে পৰাজয় কৰা মানুহৰ দৰে হলোঁ। ১০ কিয়নো
দেশ ব্যভিচাৰী লোকেৰে পৰিপূৰ্ণ; কাৰণ শাওৰ প্ৰভাৱত দেশে শোক
কৰিছে। অৰণ্যত থকা চৰণীয়া ঠাইবোৰ শুকাইছে; তেওঁলোকৰ গতি
মন্দ, আৰু তেওঁলোকৰ পৰাক্ৰম ন্যায়সঙ্গত নহয়। ১১ কিয়নো ভাববাদী
আৰু পুৰোহিত দুয়ো অপৱিত্ৰ; যিহোৱাই কৈছে, মোৰ গৃহতেই মই
সিহঁতৰ দুষ্টতা পালোঁ। ১২ এই কাৰণে তেওঁলোকৰ পথ তেওঁলোকৰ
কাৰণে অন্ধকাৰত থকা পিছল ঠাইৰ নিচিনা হব; তেওঁলোকে খেদা
খাই তাৰ পৰা পতিত হব; কিয়নো যিহোৱাই কৈছে, মই তেওঁলোকৰ
ওপৰতে অমঙ্গল ঘটাম, এনে কি, তেওঁলোকক দণ্ড দিয়াৰ বছৰ
উপস্থিত কৰোৱাম। ১৩ মই চমৰিয়াৰ মাজৰ ভাববাদীসকলৰ মাজত
অজ্ঞানতাৰ কাৰ্য দেখিলোঁ; তেওঁলোকে বালৰ নামেৰে ভাববাণী প্ৰচাৰ
কৰি মোৰ প্ৰজা ইস্ৰায়েল লোকক ভুলালে। ১৪ মই যিৰূচালেমৰ
ভাববাদীসকলৰ মাজতো নোম শিয়ৰি যোৱা এটা কাৰ্য দেখিলোঁ;
তেওঁলোকে পৰস্ত্ৰীগমন কৰে, মিছাত চলে, আৰু তেওঁলোকে কুকৰ্ম
কৰাসকলৰ হাত এনেকৈ সবল কৰে, যে, তেওঁলোকৰ কোনেও
নিজ দুষ্টতাৰ পৰা উলটি নাহে; তেওঁলোক সকলোৱেই মোৰ আগত
চদোমৰ দৰে আৰু তাৰ নিবাসীসকল ঘমোৰাৰ সদৃশ।" ১৫ এই
হেতুকে বাহিনীসকলৰ যিহোৱাই সেই ভাববাদীসকলৰ বিষয়ে এই
কথা কৈছে, "চোৱা, মই তেওঁলোকক নাগদানা ভোজন কৰাম, আৰু
বিহ গছৰ ৰস পান কৰাম, কিয়নো যিৰূচালেমৰ ভাববাদীসকলৰ
পৰা অপৱিত্ৰতা ওলাই গোটেই দেশত ব্যাপিল।" ১৬ বাহিনীসকলৰ
যিহোৱাই এই কথা কৈছে, তোমালোকৰ আগত ভাববাণী প্ৰচাৰ
কৰোঁতা ভাববাদীবোৰৰ বাক্য নুশুনিবা। তেওঁলোকে তোমালোকক
অসাৰতা শিকায়! আৰু যিহোৱাৰ মুখৰ পৰা নোহোৱা নিজ নিজ

মনৰ দৰ্শনৰ কথা কয়।’ ১৭ মোক হেয়জ্ঞান কৰোঁতাসকলৰ আগত
তেওঁলোকে সদায় কৈ থাকে, যে, ‘যিহোৱাই কৈছে, তোমালোকে শান্তি
পাবা।’ আৰু তেওঁলোকে নিজ নিজ মনৰ কঠিনতা অনুসাৰে চলোঁতা
সকলোৰে আগত কয়, ‘তোমালোকলৈ অমঙ্গল নঘটিব।’ ১৮ কাৰণ
কোনে যিহোৱাৰ সভাত থিয় হৈছে, যে, তেওঁ নিজ চকুৰে চাই তেওঁৰ
বাক্য শুনিব? কোনে তেওঁৰ বাক্যত কাণ পাতি তাক শুনিবলৈ পালে?
১৯ সৌৱা, চোৱা, যিহোৱাৰ প্ৰচণ্ড ক্ৰোধৰূপ ধুমুহা! এনে কি, প্ৰবল
বা’মাৰলি বতাহ আহিছে। সেয়ে দুষ্টবোৰৰ মূৰত কোবেৰে লাগিব।
২০ যিহোৱাই কাৰ্য সমাপ্ত নকৰালৈকে, আৰু তেওঁৰ মনৰ অভিপ্ৰায়
সিদ্ধ নকৰালৈকে তেওঁৰ ক্ৰোধ নাথামিব। তোমালোকে শেষকালত
তাক সম্পুৰ্ণকৈ বুজিবা। ২১ মই এই ভাববাদীসকলক পঠোৱা নাই,
তথাপি তেওঁলোকে নিজে নিজেই লৰিলে; মই তেওঁলোকক কোৱা
নাই, তথপি তেওঁলোকে নিজে নিজেই ভাববাণী প্ৰচাৰ কৰিলে। ২২
কিন্তু তেওঁলোকে মোৰ সভাত থিয় হোৱা হ’লে, মোৰ প্ৰজাসকলক
মোৰ বাক্য শুনোৱালেহেঁতেন, আৰু তেওঁলোকৰ কু-পথ ও কুকৰ্মৰ পৰা
তেওঁলোকক ওভটাই আনিলেহেঁতেন। ২৩ যিহোৱাই কৈছে, মই জানো
ওচৰত থকাহে ঈশ্বৰ? দূৰত থকাও ঈশ্বৰ নহওঁ জানো? ২৪ যিহোৱাই
কৈছে, মই দেখা নোপোৱাকৈ কোনো মানুহ জানো গুপুতে লুকাই
থাকিব পাৰে? যিহোৱাই কৈছে, মই জানো স্বৰ্গ আৰু পৃথিৱী ব্যাপি
নাথাকোঁ? ২৫ ‘মই সপোন দেখিলোঁ! মই সপোন দেখিলোঁ!’ এই বুলি
কৈ মোৰ নামেৰে মিছা ভাববাণী প্ৰচাৰ কৰোঁতা ভাববাদীসকলে কোৱা
কথা মই শুনিলোঁ। ২৬ মিছা ভাববাণী প্ৰচাৰ কৰোঁতা ভাববাদীসকলৰ,
এনে কি, নিজ নিজ মনৰ কপটতা প্ৰকাশ কৰোঁতা ভাববাদীসকলৰ
অন্তৰত এয়ে কিমান কাল থাকিব? ২৭ তেওঁলোকৰ পূৰ্বপুৰুষসকলে
বালত আসক্ত হৈ মোৰ নাম পাহৰা দৰে তেওঁলোকে নিজ নিজ ওচৰ-
চুবুৰীয়াৰ আগত কোৱা সপোনৰ দ্বাৰাই মোৰ প্ৰজাসকলক মোৰ নাম
পাহৰাবলৈ খুজিছে। ২৮ সপোন দেখা ভাববাদীয়ে সপোনৰ কথা
কওঁক, আৰু মোৰ বাক্য পোৱা জনে মোৰ বাক্য বিশ্বাসেৰে কওঁক;
যিহোৱাই কৈছে, ধানৰ মাজত খেৰ কি? ২৯ যিহোৱাই কৈছে, “মোৰ

বাক্য অগ্নিস্বৰূপ নহয় নে?” “আৰু শিল টুকুৰা-টুকুৰী কৰা হাতুৰীৰ
নিচিনা নহয় নে? ৩০ এই হেতুকে, যিহোৱাই কৈছে, চোৱা, নিজ নিজ
ওচৰ-চুবুৰীয়াৰ পৰা মোৰ বাক্য চুৰ কৰা ভাববাদীসকলৰ প্ৰতি মই
বিপক্ষ।” ৩১ যিহোৱাই কৈছে, “চোৱা, যি ভাববাদীবোৰে নিজ নিজ
জিভা ব্যৱহাৰ কৰি, তেওঁ কৈছে বুলি কয়, মই সেই ভাববাদীবোৰৰ
বিপক্ষ। ৩২ যিহোৱাই কৈছে, চোৱা, যি ভাববাদীবোৰে নানা মিছা
সপোন প্ৰচাৰ কৰে, আৰু সেইবোৰ কৈ তেওঁলোকৰ মিছা কথা
আৰু অনৰ্থক অহঙ্কাৰৰ দ্বাৰাই মোৰ প্ৰজাসকলক ভ্ৰান্ত কৰে, সেই
ভাববাদীসকলৰ মই বিপক্ষ।” কিয়নো মই তেওঁলোকক পঠোৱা কি
আজ্ঞা দিয়া নাছিলোঁ; এই হেতুকে তেওঁলোকে এই প্ৰজাসকলক সমুলি
উপকাৰ নকৰিব, ইয়াক যিহোৱাই কৈছে। ৩৩ “আৰু যেতিয়া এই
জাতিবোৰে, বা ভাববাদীয়ে বা পুৰোহিতে তোমাক সুধিব, ‘যিহোৱাৰ
ভাৰ-বাক্য কি?’ তেতিয়া তুমি তেওঁলোকক কবা, ভাৰ-বাক্য কি?
যিহোৱাই কৈছে মই তোমালোকক দূৰ কৰি দিম। ৩৪ যি ভাববাদী,
পুৰোহিত, কি প্ৰজাই “যিহোৱাৰ ভাৰ-বাক্য” এই বুলি ক’ব, মই সেই
মানুহক আৰু তাৰ বংশক দণ্ড দিম। ৩৫ তোমালোক প্ৰতিজনে নিজ
নিজ ওচৰ-চুবুৰীয়াক আৰু নিজ নিজ ভাইক এই কথা ক’বা, ‘যিহোৱাই
কি উত্তৰ দিলে?’ বা ‘যিহোৱাই কি ক’লে?’ ৩৬ “যিহোৱাৰ ভাৰ-
বাক্য” এই বুলি তোমালোকে আৰু উল্লেখ নকৰিবা; কাৰণ প্ৰতিজনৰ
বাক্যেই তালৈ ভাৰস্বৰূপ হ’ব, কিয়নো তোমালোকে জীৱন্ত ঈশ্বৰৰ,
আমাৰ ঈশ্বৰ বাহিনীসকলৰ যিহোৱাৰ বাক্য বিপৰীত কৰিছা। ৩৭ তুমি
ভাববাদীক এইদৰে ক’বা, ‘যিহোৱাই তোমাক কি উত্তৰ দিলে? বা
যিহোৱাই কি কলে?’ ৩৮ কিন্তু “যিহোৱাৰ ভাৰ-বাক্য” এই বুলি যদি
তোমালোকে কোৱা, তেন্তে অৱশ্যে যিহোৱাই এইদৰে কব, “যিহোৱাৰ
ভাৰ-বাক্য” এই বুলি নকবলৈ কৈ পঠোৱাতো “যিহোৱাৰ ভাৰ-বাক্য”
এই বুলি কোৱা বাবে, চোৱা, মই তোমালোকক নিচেইকৈ পাহৰিম,’
৩৯ আৰু মই তোমালোকক আৰু তোমালোকৰ পূৰ্বপুৰুষসকলক দিয়া
এই নগৰখন মোৰ দৃষ্টিৰ পৰা দলিয়াই পেলাম, আৰু পাহৰিব নোৱাৰা
চিৰকলীয়া দুৰ্ণাম আৰু সৰ্ব্বদায় থকা লাজ তোমালোকলৈ ঘটাম।

৪০ আৰু পাহৰিব নোৱাৰা চিৰকলীয়া দুৰ্নাম আৰু সৰ্ব্বদায় থকা লাজ
তোমালোকলৈ ঘটাম।”

২৪ যিহোৱাই মোক কিবা এটা দেখুৱাইছিল। যিহোৱাৰ মন্দিৰৰ
সন্মুখত ৰাখি থোৱা ডিমৰু গুটিৰ দুটা পাচি মোক দেখুৱাইছিল।
বাবিলৰ ৰজা নবূখদনেচৰে যিৰূচালেমৰ পৰা কমাৰ, বাঢ়ৈ আদি
শিল্পকাৰীয়ে সৈতে যিহোয়াকীমৰ পুত্ৰ যিহূদাৰ ৰজা যকনিয়াক, আৰু
যিহূদাৰ প্ৰধান লোকসকলক বাবিললৈ বন্দী কৰি নিয়াৰ পাছত এই
দৰ্শন ঘটিছিল। ২ এটা পাচিত প্ৰথমে পকা ডিমৰু গুটিৰ নিচিনা অতি
উত্তম ডিমৰু গুটি আছিল, আৰু আন পাচিত বেয়াৰ বাবে খাব নোৱাৰা
অতি বেয়া ডিমৰু গুটি আছিল। ৩ তেতিয়া যিহোৱাই মোক সুধিলে,
“হে যিৰিমিয়া, তুমি কি দেখিছা?” তেতিয়া মই ক’লোঁ, “ডিমৰু গুটি;
তাৰ মাজত ভাল অতি উত্তম, আৰু বেয়া ইমান বেয়া, যে, বেয়াৰ
নিমিত্তে খাব নোৱাৰে। ৪ পাছে যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল:
৫ বোলে, “ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাই এইদৰে কৈছে: এই ঠাইৰ পৰা
কলদীয়াসকলৰ দেশলৈ মই বন্দী কৰি পঠোৱা যিহূদাৰ লোকসকলক
মই এই উত্তম ডিমৰু গুটিৰ দৰে মঙ্গলৰ অৰ্থে সুদৃষ্টি কৰিম। ৬ কিয়নো
মই তেওঁলোকৰ মঙ্গলৰ অৰ্থে তেওঁলোকৰ ওপৰত মোৰ চকু ৰাখিম,
আৰু মই তেওঁলোকক পুনৰায় এই দেশলৈ আনিম আৰু তেওঁলোকক
স্থাপন কৰিম, নাভাঙিম; ৰোপণ কৰিম, নুঘালিম। ৭ আৰু মই যে
যিহোৱা, ইয়াক জানিবৰ মন মই তেওঁলোকক দিম; আৰু তেওঁলোক
মোৰ প্ৰজা হ’ব, আৰু মই তেওঁলোকৰ ঈশ্বৰ হ’ম; কিয়নো তেওঁলোকে
সমস্ত মনেৰে মোলৈ উলটি আহিব। ৮ আৰু যিহূদাৰ ৰজা চিদিকিয়াক,
তেওঁৰ প্ৰধান লোকসকলক, আৰু এই দেশত বাকী থকা যিৰূচালেমৰ
অৱশিষ্ট ভাগক, আৰু মিচৰ দেশত প্ৰবাস কৰা লোকসকলক, বেয়াৰ
বাবে খাব নোৱাৰা সেই বেয়া ডিমৰু গুটিৰ দৰে মই ত্যাগ কৰিম,
ইয়াক যিহোৱাই নিশ্চয়কৈ কৈছে। ৯ এনে কি, অমঙ্গলৰ অৰ্থে মই
তেওঁলোকক পৃথিৱীৰ সকলো ৰাজ্যত ত্ৰাসৰ বিষয় হ’বলৈ, আৰু যি
যি ঠাইলৈ তেওঁলোকক খেদিম, সেই সকলো ঠাইত তেওঁলোকক
অপমান, দৃষ্টান্ত, বিদ্ৰূপ, আৰু শাওৰ বিষয় হ’বলৈ দিম। ১০ আৰু

মই তেওঁলোকক আৰু তেওঁলোকৰ পূৰ্বপুৰুষসকলক দিয়া দেশৰ পৰা
তেওঁলোক উচ্ছন্ন নোহোৱালৈকে, তেওঁলোকৰ মাজলৈ তৰোৱাল,
আকাল, আৰু মহামাৰী পঠাই থাকিম।

**২৫** যিহূদাৰ আটাই লোকৰ বিষয়ে যিহোৱাৰ পৰা যিৰিমিয়ালৈ
এই বাক্য আহিছিল। যোচিয়াৰ পুত্ৰ যিহূদাৰ ৰজা যিহোয়াকীমৰ
ৰাজত্বৰ চতুৰ্থ বছৰত বাবিলৰ নবূখদনেচৰ ৰজাৰ ৰাজত্বৰ প্ৰথম
বছৰত এই বাক্য আহিছিল। ২ যিৰিমিয়া ভাববাদীয়ে যিহূদাৰ সকলো
লোকৰ, আৰু যিৰূচালেম-নিবাসী সকলোৰে আগত সেই বাক্য প্ৰচাৰ
কৰি ক'লে। ৩ তেওঁ ক'লে, "আমোনৰ পুত্ৰ যিহূদাৰ ৰজা যোচিয়াৰ
ৰাজত্ব কালৰ ত্ৰয়োদশ বছৰৰ পৰা আজিলৈকে এই তেইশ বছৰ
যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহি আছে আৰু মই প্ৰতি প্ৰভাতে উঠি
তোমালোকক তাক কৈ আছোঁ। মই তোমালোকক ক'বলৈ অতি ইচ্ছুক
আছিলোঁ, কিন্তু তোমালোকে কাণ দিয়া নাই। ৪ যিহোৱাই প্ৰতি প্ৰভাতে
উঠি তেওঁৰ সকলো দাস ভাববাদীসকলক তোমালোকৰ ওচৰলৈ পঠাই
আছে, কিন্তু তোমালোকে শুনা নাই, আৰু শুনিবলৈ কাণো পতা নাই। ৫
এই ভাববাদীসকলে কৈছিল, 'বিনয় কৰোঁ, তোমালোক প্ৰতিজনে নিজ
নিজ কু-পথৰ পৰা আৰু নিজ নিজ দুষ্টতাৰ পৰা ঘূৰা, আৰু যিহোৱাই
তোমালোকক আৰু তোমালোকৰ পূৰ্বপুৰুষসকলক দিয়া দেশত যুগে
যুগে অনন্ত কাললৈকে বাস কৰা। ৬ আৰু ইতৰ দেৱতাবোৰক
সেৱাপূজা আৰু সেইবোৰ আগত প্ৰণিপাত কৰিবলৈ সেইবোৰৰ
অনুগামি নহ'বা, আৰু তেওঁলোকৰ হাতে কৰা কাৰ্যৰ দ্বাৰাই মোক
বেজাৰ নিদিবা; তেতিয়া মই তোমালোকৰ কোনো অপকাৰ নকৰিম।'
৭ তথাপি, যিহোৱাই কৈছে, "তোমালোকে নিজৰ নিজৰ অপকাৰৰ অৰ্থে
তোমালোকৰ হাতে কৰা কাৰ্যৰ দ্বাৰাই মোক বেজাৰ দিবলৈ মোলৈ
কাণ দিয়া নাই।" ৮ এই হেতুকে বাহিনীসকলৰ যিহোৱাই এইদৰে
কৈছে: "তোমালোকে মোৰ বাক্য নুশুনা, এইবাবে, ৯ চোৱা, মই মানুহ
পঠাই উত্তৰ দিশত থকা আটাই গোষ্ঠীক আনিম, ইয়াক যিহোৱা কৈছে:
মই মোৰ দাস বাবিলৰ ৰজা নবূখদনেচৰৰ ওচৰলৈ মানুহ পঠাই, এই
দেশৰ, ইয়াৰ নিবাসীসকলৰ, আৰু চাৰিওফালে থকা এই আটাইবোৰ

জাতিৰ বিৰুদ্ধে তেওঁলোকক আনিম; আৰু মই তেওঁলোকক নিঃশেষে
বিনষ্ট কৰিম, আৰু মই এওঁলোকক আচৰিতৰ ও ইচ্ ইচ্ কৰাৰ বিষয়
আৰু এওঁলোকৰ ঠাই চিৰকলীয়া ধ্বংসস্থান কৰিম। ১০ ইয়াৰ বাহিৰে
মই এওঁলোকৰ পৰা উল্লাসৰ ধ্বনি, আনন্দৰ ধ্বনি, দৰা-কন্যাৰ ধ্বনি,
জাঁতৰ শব্দ আৰু চাকিৰ পোহৰ নাইকিয়া কৰিম। ১১ তেতিয়া এই
গোটেই দেশ ধ্বংস আৰু আচৰিতৰ ঠাই হ'ব, আৰু এই জাতিবোৰে
সত্তৰ বছৰলৈকে বাবিলৰ ৰজাৰ বন্দী-কাম কৰিব। ১২ যিহোৱাই
আৰু কৈছে: এই সত্তৰ বছৰ পূৰ হ'লে, মই বাবিলৰ ৰজাক, আৰু সেই
জাতিক, আৰু কলদীয়াসকলৰ দেশক তেওঁলোকৰ অপৰাধৰ বাবে দণ্ড
দিম; আৰু মই তাক চিৰকালৰ বাবে ধ্বংসস্থান কৰিম। ১৩ আৰু মই
সেই দেশৰ বিৰুদ্ধে কোৱা মোৰ সকলো বাক্য, এনে কি, যিৰিমিয়াই
সকলো জাতিৰ বিৰুদ্ধে ভাববাণী প্ৰচাৰ কৰা, এই পুথিখনিত লিখা
সকলোকে সেই দেশলৈ ঘটাম। ১৪ কিয়নো অনেক জাতি আৰু মহান
ৰজাসকলে তেওঁলোকক বন্দী-কাম কৰোৱাব; আৰু মই তেওঁলোকৰ
কৰ্ম আৰু তেওঁলোকৰ হাতৰ কাৰ্য অনুসাৰে তেওঁলোকক প্ৰতিফল
দিম। ১৫ কিয়নো ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাই মোক এইদৰে কৈছে:
"তুমি মোৰ ক্ৰোধস্বৰূপ সেই দ্ৰাক্ষাৰসৰ পান-পাত্ৰ মোৰ হাতৰ পৰা
লোৱা, আৰু যি যি জাতিৰ ওচৰলৈ মই তোমাক পঠাওঁ, তুমি গৈ সেই
সেই জাতিক ইয়াক পান কৰোৱাবা। ১৬ তেওঁলোকে পান কৰি ঢলং-
পলং কৰিব আৰু মই তেওঁলোকৰ মাজলৈ যি তৰোৱাল পঠিয়াম, তাৰ
কাৰণে তেওঁলোক পগলা যেন হ'ব। ১৭ তেতিয়া মই যিহোৱাৰ হাতৰ
পৰা সেই পান-পাত্ৰ লৈ, যিহোৱাই যিবোৰ জাতিৰ ওচৰলৈ মোক
পঠিয়ালে, তেওঁলোকক পান কৰোৱালোঁ, ১৮ অৰ্থাৎ আজিৰ দৰেই,
তেওঁলোকক ধ্বংসস্থান, আচৰিত, ইচ্ ইচ, আৰু শাওৰ বিষয় কৰিবলৈ
যিৰূচালেমক, যিহূদাৰ নগৰবোৰক তাৰ ৰজাসকলক, আৰু তাৰ
প্ৰধান লোকসকলক পান কৰোৱালোঁ। ১৯ আন জাতি সমূহেও ইয়াক
পান কৰিব লগীয়া হৈছিল: আৰু মিচৰৰ ৰজা ফৰৌণক আৰু তেওঁৰ
মন্ত্ৰীসকলক, তেওঁৰ প্ৰধান লোকসকলক, ২০ তেওঁৰ সকলো প্ৰজাক,
মিশ্ৰিত জাতি সমূহক, উচ দেশৰ সকলো ৰজাক, পলেষ্টীয়াসকলৰ

আটাই ৰজাক বিশেষকৈ অস্কিলোন, গাজা, ইক্ৰোণ, আৰু অচ্‌দোদৰ
অৱশিষ্ট ভাগক, ২১ ইদোম, মোৱাব, আৰু অম্মোনৰ সন্তান সকলক,
তূৰৰ সকলো ৰজাক; ২২ চীদোনৰ সকলো ৰজাক, সমুদ্ৰৰ সিপাৰে
থকা দ্বীপৰ সকলো ৰজাক, ২৩ দদান, তেমা, বুজ, আৰু কুমৰ গুৰিত
ডাড়ি-চুলি কটা সকলোৱে পান কৰিবলগীয়া হৈছিল। ২৪ আৰবৰ
সকলো ৰজাক, মৰুভূমি-নিবাসী মিশ্ৰিত জাতিৰ সকলো ৰজাক, ২৫
যিম্ৰীৰ সকলো ৰজাক, এলমৰ সকলো ৰজাক, মাদিয়াসকলৰ সকলো
ৰজাক, ২৬ প্ৰভেদ নৰখাকৈ উত্তৰ দেশৰ ওচৰত কি দূৰত থকা
সকলো ৰজাক, পৃথিৱীৰ ওপৰত থকা জগতৰ সকলো ৰাজ্যক পান
কৰোৱালোঁ; আৰু তেওঁলোকৰ পাছত চেচক ৰজাই পান কৰিব।”
২৭ ইস্ৰায়েলৰ ঈশ্বৰ বাহিনীসকলৰ যিহোৱাই এই কথা কৈছে: “আৰু
তুমি তেওঁলোকক এই কথা ক’বা, তোমালোকে পান কৰি মতলীয়া
হৈ বঁতিওৱা, আৰু তোমালোকৰ মাজলৈ মই যি তৰোৱাল পঠিয়াম,
তাৰ কাৰণে পতিত হোৱা, আৰু নুঠিবা’।” ২৮ আৰু তেতিয়া যদি
তেওঁলোকে পান কৰিবলৈ তোমাৰ হাতৰ পৰা পান-পাত্ৰটি লবলৈ
অস্বীকাৰ কৰে, তোতিয়া তেওঁলোকক ক’বা, বাহিনীসকলৰ যিহোৱাই
এইদৰে কৈছে, তোমালোকে অৱশ্যে পান কৰিবই লাগে। ২৯ কাৰণ,
চোৱা, মোৰ নামেৰে প্ৰখ্যাত হোৱা নগৰখনতেই অমঙ্গল আনিবলৈ
ধৰিছোঁ, এনে স্থলত, তোমালোকে একেবাৰে দণ্ড নোপোৱাকৈ থাকিবা
নে? তোমালোকে দণ্ড নোপোৱাকৈ নাথাকিবা; কিয়নো বাহিনীসকলৰ
যিহোৱাই কৈছে, মই পৃথিৱী-নিবাসী সকলোৰে অহিতে তৰোৱাল
মাতিম। ৩০ এই হেতুকে তুমি তেওঁলোকৰ বিৰুদ্ধে এই সকলো
ভাববাণী প্ৰচাৰ কৰা, আৰু তেওঁলোকক কোৱা, ‘যিহোৱাই উচ্চস্থানৰ
পৰা গৰ্জ্জন কৰিব, আৰু তেওঁ নিজৰ পবিত্ৰ নিবাসৰ পৰা উচ্চ-
ধ্বনি শুনাব, তেওঁৰ মেৰ-ছাগ চৰোৱা ঠাইৰ বিৰুদ্ধে বৰকৈ গৰ্জ্জিব,
আৰু পৃথিৱী-নিবাসী সকলোৰে বিৰুদ্ধে দ্ৰাক্ষাগুটি গচকোঁতাসকলৰ
দৰেই উচ্চ-ধ্বনি কৰিব। ৩১ পৃথিৱীৰ সীমালৈকে ধ্বনিয়ে ব্যাপিব;
কিয়নো জাতি সমূহে সৈতে যিহোৱাৰ বিবাদ আছে, তেওঁ মৰ্ত্ত্যসকলে
সৈতে প্ৰতিবাদ কৰিব; দুষ্টহঁতক হ’লে, তেওঁ তৰোৱালত শোধাই

দিব।” এয়ে যিহোৱাৰ বচন। ৩২ বাহিনীসকলৰ যিহোৱাই এইদৰে
কৈছে: “চোৱা, এক জাতিৰ পৰা আন জাতিলৈ অমঙ্গল ওলাব,
আৰু পৃথিৱীৰ অন্ত ভাগৰ পৰা বৰ ধুমুহা আহিব। ৩৩ সেই দিনা
পৃথিৱীৰ ইমূৰৰ পৰা সিমূৰলৈ যিহোৱাৰ হত লোক হ’ব; কোনেও
তেওঁলোকৰ বাবে বিলাপ নকৰিব, আৰু তেওঁলোকক গোটোৱা কি
পোতা নহ’ব, তেওঁলোক মাটিৰ ওপৰত সাৰস্বৰূপ হ’ব। ৩৪ হে মেৰ-
ছাগ ৰখীয়াবোৰ, তোমালোকে হাহাঁকাৰ আৰু কাতৰোক্তি কৰা; আৰু
হে মেৰ-ছাগৰ জাকৰ প্ৰধান লোকসকল, তোমালোক ছাইত বাগৰা।
কিয়নো তোমালোকৰ হত্যাৰ দিন আহি পৰিল; মই তোমালোকক
ছিন্ন-ভিন্ন কৰিম, তাতে তোমালোক মনোহৰ পাত্ৰৰ দৰে পতিত হবা।
৩৫ মেৰ-ছাগ ৰখীয়াবোৰে পলাবলৈ, বা মেৰ-ছাগৰ জাকৰ প্ৰধান
লোকসকলে ৰক্ষা পাবলৈ বাট নাপাব। ৩৬ মেৰ-ছাগ ৰখীয়াবোৰৰ
কাতৰোক্তি আৰু মেৰ-ছাগৰ জাকৰ প্ৰধান লোকসকলৰ হাহাঁকাৰৰ
শব্দ শুনা গৈছে; কিয়নো যিহোৱাই তেওঁলোকৰ চৰণীয়া ঠাই উচ্ছন্ন
কৰিছে। ৩৭ আৰু যিহোৱাৰ ক্ৰোধৰ কাৰণে শান্তিপূৰ্ণ মেৰ-ছাগৰ
গঁৰালবোৰ নিস্তব্ধ হ’ল। ৩৮ তেওঁ সিংহৰ নিচিনাকৈ নিজৰ গহবৰ এৰি
আহিছে; কিয়নো অত্যাচাৰকাৰী তৰোৱালৰ ভয়ানকতা আৰু তেওঁৰ
প্ৰচণ্ড ক্ৰোধৰ কাৰণে তেওঁলোকৰ দেশ আচৰিতৰ বিষয় হৈছে, কাৰণ
তেওঁৰ খয়াল ক্ৰোধৰ বাবে।”

**২৬** যোচিয়াৰ পুত্ৰ যিহূদাৰ ৰজা যিহোয়াকীমৰ ৰাজত্বৰ আৰম্ভণিত
যিহোৱাৰ পৰা এই বাক্য আহিল আৰু ক’লে, ২ বোলে, “যিহোৱাই
এইদৰে কৈছে: তুমি যিহোৱাৰ গৃহৰ চোতালত থিয় হোৱা, আৰু
যিহোৱাৰ গৃহত প্ৰণিপাত কৰিবলৈ অহা যিহূদাৰ সকলো নগৰৰ
লোকসকলক, মই তোওঁলোকক ক’বলৈ তোমাক আজ্ঞা দিয়া সকলো
বাক্য কোৱা, এটি কথাও নোকোৱাকৈ নাথাকিবা। ৩ কিজানি
তেওঁলোকে শুনি নিজ নিজ কু-পথৰ পৰা উলটিব; সেয়ে হ’লে,
তেওঁলোকৰ দুষ্টতাৰ বাবে মই তেওঁলোকলৈ কৰিব খোজা অমঙ্গলৰ
পৰা থামিম। ৪ তুমি তেওঁলোকক কোৱা, ‘যিহোৱাই এই কথা
কৈছে, যি ভাববাদীসকলক মই প্ৰভাতে উঠি তোমালোকৰ ওচৰলৈ

পঠিয়াই থাকোঁ, কিন্তু তোমালোকে যদি নুশুনা, ৫ মোৰ দাস সেই
ভাববাদীসকলৰ বাক্য শুনিবলৈ, তোমালোকৰ আগত মই স্থাপন কৰা
মোৰ ব্যৱস্থামতে চলিবলৈ, যদি তোমালোকে মোলৈ কাণ নিদিয়া,
৬ তেনেহ'লে মই এই গৃহক চীলোৰ দৰে কৰিম, আৰু এই নগৰক
পৃথিৱীৰ আটাই জাতিৰ শাওৰ বিষয় কৰিম। ৭ যেতিয়া যিৰিমিয়াই
যিহোৱাৰ গৃহত এই সকলো বাক্য কোৱাত ভাববাদী আৰু আটাই
প্ৰজাসকলে শুনিলে। ৮ আৰু যিৰিমিয়াই সকলো লোকৰ আগত,
যিহোৱাই আজ্ঞা কৰা সকলো কথা কৈ এটোৱাৰ পাছত, পুৰোহিত,
ভাববাদী আৰু আটাই প্ৰজাসকলে তেওঁক ধৰি ক'লে, "তুমি নিশ্চয়ে
মৰিবা! ৯ এই গৃহ চীলোৰ দৰে হ'ব আৰু এই নগৰ উচ্ছন্ন হৈ নিবাসী-
শূন্য হ'ব বুলি কৈ, তুমি যিহোৱাৰ নামেৰে কিয় ভাববাণী প্ৰচাৰ
কৰিছা?" সেই কাৰণে সকলো প্ৰজাই যিহোৱাৰ গৃহত যিৰিমিয়াৰ
আগত গোট খালে। ১০ তেতিয়া যিহূদাৰ প্ৰধান লোকসকলে এই
কথা শুনি ৰাজ গৃহৰ পৰা যিহোৱাৰ গৃহলৈ আহিল, আৰু তেওঁলোক
যিহোৱাৰ গৃহত নতুন দুৱাৰৰ সোমোৱা ঠাইত বহিল। ১১ পাছে
পুৰোহিত আৰু ভাববাদীসকলে প্ৰধান লোকসকলক আৰু আটাই
প্ৰজাসকলৰ আগত ক'লে, "এই মানুহ প্ৰাণদণ্ডৰ যোগ্য; কিয়নো তেওঁ
এই নগৰৰ বিৰুদ্ধে ভাববাণী প্ৰচাৰ কৰিলে, তাক তোমালোকে নিজ
কাণে শুনিলা!" ১২ তেতিয়া যিৰিমিয়াই সকলো প্ৰধান লোক আৰু
আটাই প্ৰজাৰ আগত ক'লে, "এই গৃহ আৰু নগৰৰ বিৰুদ্ধে তোমালোকে
শুনা আটাইবোৰ ভাববাণী প্ৰচাৰ কৰিবলৈ যিহোৱাই মোক পঠিয়ালে।
১৩ এই হেতুকে এতিয়া তোমালোকে নিজ নিজ আচৰণ আৰু কৰ্ম
শুদ্ধ কৰা, আৰু তোমালোকৰ ঈশ্বৰ যিহোৱাৰ বাক্য পালন কৰা;
তাতে যিহোৱাই তোমালোকৰ অহিতে কৰিব খোজা অমঙ্গলৰ পৰা
থামিব। ১৪ কিন্তু চোৱা! মই হ'লে তোমালোকৰ হাততে আছোঁ।
তোমালোকৰ দৃষ্টিত যি ভাল আৰু ন্যায়, তাকে মোলৈ কৰা। ১৫
কিন্তু তোমালোকে নিশ্চয়ে জানিবা, যে, যদি তোমালোকে মোক বধ
কৰা, তেন্তে তোমালোকৰ নিজৰ নিজৰ, এই নগৰৰ, আৰু ইয়াৰ
নিবাসীসকলৰ ওপৰত নিৰ্দ্দোষীৰ ৰক্তপাতৰ দোষ ঘটোৱাব। কিয়নো

সঁচাকৈ সেই সকলো কথা তোমালোকৰ কাণত ক’বলৈ যিহোৱাই
মোক তোমালোকৰ গুৰিলৈ পঠিয়ালে।” ১৬ তেতিয়া প্ৰধান লোকসকল
আৰু আটাই প্ৰজাই পুৰোহিত আৰু ভাববাদীসকলক ক’লে, “এই মানুহ
প্ৰাণদণ্ডৰ যোগ্য নহয়; কিয়নো এওঁ আমাৰ ঈশ্বৰ যিহোৱাৰ নামেৰে
আমাক কথা ক’লে।” ১৭ তাৰ পাছত দেশৰ বৃদ্ধসকলৰ মাজৰ কিছু
লোকে উঠি প্ৰজাসকলৰ গোটেই সমাজক ক’লে। ১৮ তেওঁলোকে
ক’লে, “যিহূদাৰ হিষ্কিয়া ৰজাৰ ৰাজত্বৰ কালত মোৰেষ্টিয়া মীখায়াই
ভাববাণী প্ৰচাৰ কৰিছিল। তেওঁ যিহূদাৰ আটাই লোকক কৈছিল,
‘বাহিনীসকলৰ যিহোৱাই এইদৰে কৈছিল: “চিয়োনক পথাৰৰ দৰে
চহোৱা হ’ব, যিৰূচালেম ভগ্নৰাশি হ’ব আৰু গৃহটি থকা পৰ্ব্বতটো
কাঠনিৰ ওখ ঠাইৰ দৰে হ’ব।” ১৯ কোৱাচোন, যিহূদাৰ হিষ্কিয়া ৰজাই
আৰু গোটেই যিহূদাই জানো তেওঁক বধ কৰিছিল? হিস্কিয়াই জানো
যিহোৱালৈ ভয় কৰা নাছিল? আৰু তেওঁ জানো যিহোৱাৰ অনুগ্ৰহ
প্ৰাৰ্থনা কৰা নাছিল? তাতে যিহোৱাই তেওঁলোকলৈ কৰিব খোজা
অমঙ্গলৰ পৰা জানো নাথামিল? তোমালোকে কোৱাৰ দৰে কৰিলে
আৰু নিজ নিজ প্ৰাণৰ অহিতে মহা-অমঙ্গল ঘটাম। ২০ যিহোৱাৰ
নামেৰে ভাববাণী প্ৰচাৰ কৰা আৰু এজন লোক আছিল, তেওঁ কিৰিয়ৎ-
যিয়াৰীম নিবাসী চমৰিয়াৰ পুত্ৰ ঊৰিয়া; তেওঁ যিৰিমিয়াৰ সকলো
বাক্যৰ দৰে এই নগৰ আৰু এই দেশৰ অহিতে ভাববাণী প্ৰচাৰ
কৰিছিল। ২১ কিন্তু যিহোয়াকীম ৰজা, তেওঁৰ বীৰসকলক আৰু সকলো
প্ৰধান লোক তেওঁৰ কথা শুনিবলৈ পোৱাত, ৰজাই তেওঁক বধ কৰিবলৈ
পুৰুষাৰ্থ কৰিলে; কিন্তু ঊৰিয়াই তাকে শুনি ভয় পাই পলাই মিচৰলৈ
গ’ল। ২২ তেতিয়া যিহোয়াকীম ৰজাই মিচৰলৈ মানুহ পঠিয়ালে, অৰ্থাৎ
অকবোৰৰ পুত্ৰ ইলনাথনক আৰু তেওঁৰ লগত কেইজনমান লোকক
মিচৰলৈ পঠিয়ালে। ২৩ পাছত তেওঁলোকে ঊৰিয়াক মিচৰৰ পৰা
উলিয়াই যিহোয়াকীম ৰজাৰ গুৰিলৈ আনিলত, ৰজাই তৰোৱালৰ
দ্বাৰাই তেওঁক বধ কৰি সামান্য লোকৰ মৈদামত তেওঁৰ শৱ পেলাই
দিলে। ২৪ কিন্তু চাফনৰ পুত্ৰ অহীকামৰ হাত যিৰিমিয়াৰ পক্ষে থকাত,
বধ কৰিবৰ অৰ্থে লোকসকলৰ হাতত তেওঁক শোধাই দিয়া নহ’ল।

২৭ যোচিয়াৰ পুত্ৰ যিহূদাৰ ৰজা চিদিকিয়াৰ ৰাজত্বৰ আৰম্ভণিত
যিহোৱাৰ পৰা যিৰিমিয়ালৈ এই বাক্য আহিল, বোলে, ২ “যিহোৱাই
মোক ক'লে, তুমি যোঁত-জৰী আৰু যুৱলি সাজি তোমাৰ ডিঙিত লগোৱা।
৩ আৰু যিৰূচালেমলৈ যিহূদাৰ চিদিকিয়া ৰজাৰ গুৰিলৈ দূতবোৰৰ
হাতত, ইদোমৰ ৰজা, মোৱাবৰ ৰজা, অম্মোনৰ সন্তানসকলৰ ৰজা,
তূৰৰ ৰজা, আৰু চীদোনৰ ৰজাৰ ওচৰলৈ সেইবোৰ পঠিয়াই দিয়া। ৪
আৰু নিজ নিজ প্ৰভুক ক'বৰ বাবে তেওঁলোকক এই আদেশ দিয়া,
‘ইস্রায়েলৰ ঈশ্বৰ বাহিনীসকলৰ যিহোৱাই কৈছে: “তোমালোকে নিজ
নিজ প্ৰভুক এই এই কথা ক'বা, ৫ ‘ময়েই নিজ মহাশক্তিৰে আৰু মেলা
বাহুৰে পৃথিৱীক আৰু পৃথিৱীৰ ওপৰত থকা মানুহ আৰু পশুবোৰক সৃষ্ট
কৰিলোঁ, আৰু মোৰ দৃষ্টিত যাক ভাল দেখোঁ, তাকে তাক দিওঁ। ৬
এই হেতুকে এতিয়া মই এই সকলো দেশ মোৰ দাস বাবিলৰ ৰজা
নবূখদনেচৰৰ হাতত দিলোঁ, আৰু তেওঁৰ বন্দীকাম কৰিবৰ অৰ্থে বনৰ
জন্তুবোৰকো মই তেওঁক দিলোঁ। ৭ আৰু তেওঁৰ নিজ দেশৰ সময়
শেষ নোহোৱালৈকে সকলো জাতিয়ে তেওঁৰ, তেওঁৰ পুতেকৰ আৰু
তেওঁৰ নাতিয়েকৰ বন্দী-কাম কৰিব; সেই সময় হ'লে অনেক জাতি
আৰু মহান ৰজাসকলে তেওঁক তেওঁলোকৰ বন্দী-কাম কৰোৱাব।
৮ যি জাতি আৰু ৰজাই সেই বাবিলৰ ৰজা নবূখদনেচৰৰ বন্দী-
কাম নকৰিব, আৰু বাবিলৰ ৰজাৰ যুৱলিত নিজৰ ডিঙি নাৰাখিব,
যিহোৱাই কৈছে, মই তেওঁৰ হাতেৰে এই জাতিক সংহাৰ নকৰালৈকে
তৰোৱাল আৰু মহামাৰীৰ দ্বাৰাই দণ্ড দিম। ৯ কিন্তু তোমালোকে হ'লে!
তোমালোকে বাবিলৰ ৰজাৰ বন্দী-কাম কৰিবলৈ নাপাবা, ‘এই বুলি
তোমালোকক কোৱা তোমালোকৰ ভাববাদী, মঙ্গলতী, স্বপ্নদৰ্শক,
গণক, কি মায়াবীৰ কথা নুশুনিবা।’ ১০ কিয়নো তোমালোকৰ দেশৰ
পৰা তোমালোকক দূৰ কৰিবৰ কাৰণে আৰু মই তোমালোকক খেদাই
দিলে তোমালোক নষ্ট হবলৈ তোমালোকৰ আগত তেওঁলোকে মিছা
ভাববাণী প্ৰচাৰ কৰে। ১১ কিন্তু যি জাতিয়ে বাবিলৰ ৰজাৰ যুৱলিৰ
তলত নিজৰ ডিঙি ৰাখিব, আৰু তেওঁৰ বন্দীকাম কৰিব, যিহোৱাই
কৈছে, ‘মই সেই জাতিক নিজ দেশত থাকিবলৈ দিম; তেওঁলোকে

তাত কৃষিকাৰ্য্য কৰিব, আৰু তাত বাস কৰিব"'।" ১২ পাছত মই সেই
সকলো বাক্য অনুসাৰে যিহূদাৰ ৰজা চিদিকিয়াক ক'লোঁ: "তোমালোকে
নিজ নিজ ডিঙি বাবিলৰ ৰজাৰ যুৱলিৰ তলত ৰাখি, তেওঁৰ আৰু
তেওঁৰ লোকসকলৰ বন্দী-কাম কৰি জীয়াই থাকা। ১৩ যি জাতিয়ে
বাবিলৰ ৰজাৰ বন্দী-কাম নকৰিব, সেই জাতিৰ বিষয়ে যিহোৱাই
কোৱাৰ দৰে, তুমি আৰু তোমাৰ প্ৰজাসকল তৰোৱাল, আকাল আৰু
মহামাৰীত কিয় মৰিবা? ১৪ 'বাবিলৰ ৰজাৰ বন্দী-কাম কৰিব নাপাবা'
বুলি তোমালোকক কোৱা ভাববাদীসকলৰ কথা নুশুনিবা; কিয়নো
তেওঁলোকে তোমালোকৰ আগত মিছা ভাববাণী প্ৰচাৰ কৰে। ১৫
কাৰণ, যিহোৱাই কৈছে, মই তেওঁলোকক পঠোৱা নাই" কিন্তু মই
তোমালোকক খেদাই দিলে তোমালোক আৰু তোমালোকৰ আগত
ভাববাণী প্ৰচাৰ কৰা ভাববাদীসকল বিনষ্ট হবৰ কাৰণে, তেওঁলোকে
মিছাকৈয়ে মোৰ নামেৰে ভাববাণী প্ৰচাৰ কৰে। ১৬ পাছে মই
পুৰোহিতসকলক আৰু এই সকলো প্ৰজাক ক'লোঁ, "যিহোৱাই এই কথা
কৈছে: চোৱা, যিহোৱাৰ গৃহৰ বস্তুবোৰ অলপতে পুনৰায় বাবিলৰ পৰা
অনা যাব বুলি তোমালোকৰ আগত ভাববাণী প্ৰচাৰ কৰা তোমালোকৰ
ভাববাদীসকলৰ কথালৈ কাণ নিদিবা; কিয়নো সিহঁতে তোমালোকৰ
আগত মিছা ভাববাণী প্ৰচাৰ কৰে। ১৭ তেওঁলোকৰ কথালৈ কাণ
নিদিবা, কিন্তু বাবিলৰ ৰজাৰ বন্দী-কাম কৰি জীয়াই থাকা; এই নগৰ
কিয় ধ্বংসস্থান হব? ১৮ কিন্তু যদি তেওঁলোক ভাববাদী হয়, আৰু যদি
যিহোৱাৰ বাক্য তেওঁলোকৰ লগত আছে, তেন্তে যিহোৱাৰ গৃহত,
যিহূদাৰ ৰাজগৃহত আৰু যিৰূচালেমত অৱশিষ্ট থকা বস্তুবোৰ বাবিললৈ
নাযাবলৈ বাহিনীসকলৰ যিহোৱাৰ আগত তেওঁলোকে প্ৰাৰ্থনা কৰক।
১৯ কিয়নো বাবিলৰ ৰজা নবূখদনেচৰে যিহোয়াকীমৰ পুতেক যিহূদাৰ
ৰজা যকনিয়ক, আৰু যিহূদাৰ ও যিৰূচালেমৰ প্ৰধান লোকসকলক আৰু
যিৰূচালেমৰ পৰা বাহিৰলৈ বন্দী কৰি নিয়া সময়ত, ২০ স্তম্ভ কেইটা,
সমুদ্ৰ-পাত্ৰটো, আৰু আধাৰবোৰ আদি কৰি এই নগৰৰ অৱশিষ্ট থকা
যি যি বস্তু বাবিলত ৰজা নবূখদনেচৰে নিয়া নাছিল, সেইবোৰৰ বিষয়ে
যিহোৱাই এইদৰে কৈছে; ২১ এনে কি, যিহোৱাৰ গৃহত, যিহূদাৰ

ৰাজগৃহত, আৰু যিৰূচালেমত অৱশিষ্ট থকা সেই বস্তুবোৰৰ বিষয়ে
ইস্ৰায়েলৰ ঈশ্বৰ বাহিনীসকলৰ যিহোৱাই এইদৰে কৈছে, ২২ সেই
সকলোকে বাবিললৈ নিয়া হ'ব, আৰু মই সেইবোৰৰ বিচাৰ নকৰা
দিনলৈকে সেইবোৰ সেই ঠাইতে থাকিব, ইয়াকে যিহোৱাই কৈছে;
সেই দিন উপস্থিত হ'লে, মই সেইবোৰ আনি এই ঠাইত পুনৰাই স্থাপন
কৰিম'।"

২৮ পাছত সেই বছৰত যিহূদাৰ ৰজা চিদিকিয়াৰ ৰাজত্ব কালৰ
আৰম্ভণিত চতুৰ্থ বছৰৰ পঞ্চম মাহত, যিহোৱাৰ গৃহত, পুৰোহিত
আৰু সকলো প্ৰজাৰ আগত গিবিয়োন নিবাসী অৰ্জ্জুৰৰ পুত্ৰ হননিয়া
ভাববাদীয়ে মোক এই কথা ক'লে, ২ "ইস্ৰায়েলৰ ঈশ্বৰ বাহিনীসকলৰ
যিহোৱাই এইদৰে কৈছে: 'মই বাবিলৰ ৰজাৰ যুৱলি ভাঙিলোঁ। ৩
এই ঠাইৰ পৰা বাবিলৰ ৰজা নবূখদনেচৰে বাবিললৈ লৈ যোৱা
যিহোৱাৰ গৃহৰ সকলো বস্তু সম্পূৰ্ণ দুই বছৰৰ ভিতৰত মই পুনৰায়
এই ঠাইলৈ আনিম। ৪ আৰু যিহোৱাই কৈছে, 'মই যিহোয়াকীমৰ পুত্ৰ
যিহূদাৰ ৰজা যকনিয়াক, বাবিললৈ বন্দী কৰি নিয়া যিহূদাৰ সকলোৰে
সৈতে এই ঠাইলৈ পুনৰায় আনিম; কিয়নো মই বাবিলৰ ৰজাৰ যুৱলি
ভাঙিম'।" ৫ তেতিয়া যিৰিমিয়া ভাববাদীয়ে যিহোৱাৰ গৃহত থিয় হৈ
থকা পুৰোহিতসকল আৰু প্ৰজাসকলৰ আগত হননিয়া ভাববাদীক কথা
ক'লে, ৬ যিৰিমিয়া ভাববাদীয়ে এই কথা ক'লে, আমেন, যিহোৱাই
তাকেই কৰ'ক; বাবিলৰ পৰা এই ঠাইলৈ যিহোৱাৰ গৃহৰ বস্তুবোৰ আৰু
দেশান্তৰত হোৱা আটাইকে পুনৰায় আনিব বুলি তুমি প্ৰচাৰ কৰা সেই
ভাববাণীবোৰ যিহোৱাই সিদ্ধ কৰ'ক। ৭ তথাপি তোমাৰ কাণত আৰু
আটাই প্ৰজাৰ কাণত এই যি কথা মই কওঁ, তাক শুনা। ৮ মোৰ আৰু
তোমাৰ আগেয়ে যি প্ৰাচীন ভাববাদীসকল আছিল, তেওঁলোকে অনেক
অনেক দেশ আৰু মহৎ মহৎ ৰাজ্যৰ বিৰুদ্ধে যুদ্ধ, অমঙ্গল আৰু মহামাৰী
হ'ব বুলি ভাববাণী প্ৰচাৰ কৰিছিল। ৯ যি ভাববাদীয়ে শান্তি হ'ব বুলি
ভাববাণী প্ৰচাৰ কৰে, সেই ভাববাদীৰ বাক্য ফলিয়ালেহে, যিহোৱাই
সঁচাকৈ তেওঁক পঠোৱা হয় বুলি জনা যাব।" ১০ পাছত হননিয়া
ভাববাদীয়ে যিৰিমিয়া ভাববাদীৰ ডিঙিৰ পৰা যুৱলিখন সোলোকাই

ভাঙি পেলালে। ১১ আৰু হননিয়াই আটাই প্ৰজাসকলৰ আগত ক'লে,
“যিহোৱাই এই কথা কৈছে: ‘সম্পূৰ্ণ দুইবছৰৰ ভিতৰত মই বাবিলৰ
ৰজা নবূখদনেচৰৰ যুৱলি এইদৰেই ভাঙি আটাই জাতিৰ ডিঙিৰ পৰা
গুচাম'।” তেতিয়া যিৰিমিয়া ভাববাদী নিজ বাটে গুচি গ'ল। ১২ পাছত
হননিয়া ভাববাদীয়ে যিৰিমিয়া ভাববাদীৰ ডিঙিৰ পৰা যুৱলিখন ভাঙি
গুচুৱাৰ পাছত যিহোৱাৰ বাক্য যিৰিমিয়ালৈ আহিল, বোলে, ১৩ “তুমি
গৈ হননিয়াক কোৱা, যিহোৱাই এই কথা কৈছে, ‘তুমি কাঠৰ যুৱলি
ভাঙিলা হয়, কিন্তু তাৰ সলনি লোহাৰ যুৱলি যুগুত কৰিব লাগে।” ১৪
কিয়নো ইস্ৰায়েলৰ ঈশ্বৰ বাহিনীসকলৰ যিহোৱাই এই কথা কৈছে,
বাবিলৰ নবূখদনেচৰ ৰজাৰ বন্দী-কাম কৰিবলৈ মই সকলো জাতিৰ
ডিঙিত লোহাৰ যুৱলি লগালোঁ; তাতে তেওঁলোকে তেওঁৰ বন্দী-কাম
কৰিব; আৰু মই বনৰ জন্তুবোৰকো তেওঁক দিলোঁ।” ১৫ পাছত
যিৰিমিয়া ভাববাদীয়ে হননিয়া ভাববাদীক ক'লে, “হে হননিয়া, শুনা;
যিহোৱাই তোমাক পঠোৱা নাই, কিন্তু তুমি এই লোকসকলক মিছা
কথাতে বিশ্বাস কৰাইছা। ১৬ এই হেতুকে যিহোৱাই এই কথা কৈছে:
‘চোৱা, মই তোমাক পৃথিৱীৰ পৰা দূৰ কৰি দিম; তুমি এই বছৰৰ
ভিতৰতে মৰিবা, কাৰণ তুমি যিহোৱাৰ বিৰুদ্ধে বিদ্ৰোহৰ কথা ক'লা।
১৭ আৰু হননিয়া ভাববাদী সেই বছৰৰ সপ্তম মাহত মৰিল।

**২৯** যিৰূচালেমৰ পৰা যিৰিমিয়া ভাববাদীয়ে পঠোৱা পত্ৰখনৰ কথা
এইবোৰ - যিবোৰ দেশান্তৰলৈ নিয়া বৃদ্ধসকলৰ অৱশিষ্ট বাগলৈ,
আৰু যিৰূচালেমৰ পৰা বাবিললৈ নবূখদনেচৰে বন্দী কৰি নিয়া
পুৰোহিত, ভাববাদী, আৰু সকলো প্ৰজালৈ পঠিয়াইছিল। ২ আৰু
এইয়া হৈছিল যেতিয়া যকনিয়া ৰজা, ৰাজমাও, নপুংসকসকল, যিহূদা
আৰু যিৰূচালেমৰ প্ৰধান লোকসকল, আৰু ৰাজমিস্ত্ৰি বাঢ়ৈ আদি
শিল্পকাৰীসকলে যিৰূচালেমৰ পৰা প্ৰস্থান কৰিছিল। ৩ এই পত্ৰ
যিহূদাৰ চিদিকিয়া ৰজাই বাবিললৈ, বাবিলৰ ৰজা নবূখদনেচৰৰ
গুৰিলৈ পঠোৱা চাফনৰ পুত্ৰ ইলিয়াচাৰ, আৰু হিল্কিয়াৰ পুত্ৰ গমৰিয়াৰ
হাতত পঠিয়াইছিল। ৪ পত্ৰখনত এইদৰে কৈছিল, যে, “মই যিৰূচালেমৰ
পৰা বাবিললৈ বন্দী কৰি নিয়া সকলো দেশান্তৰিত লোকক ইস্ৰায়েলৰ

ঈশ্বৰ বাহিনীসকলৰ যিহোৱাই এইদৰে কৈছে: ৫ তোমালোকে ঘৰ
সাজি তাত বাস কৰা, আৰু বাৰী পাতি তাৰ ফল ভোগ কৰা। ৬ বিবাহ
কৰি লৰা-ছোৱালী জন্ম দিয়া, আৰু লৰা-ছোৱালী জন্মিবৰ কাৰণে
তোমালোকৰ পুত্ৰসকললৈ ছোৱালী আনা, আৰু জীয়েৰাসকলক বিয়া
দিয়া। এইদৰে যেন তোমালোক সংখ্যাত কম নহৈ বাঢ়ি যোৱা।
৭ আৰু মই তোমালোকক বন্দী কৰি নিয়া নগৰৰ শান্তিলৈ চেষ্টা
কৰা আৰু তাৰ বাবে যিহোৱাৰ আগত প্ৰাৰ্থনা কৰা; কিয়নো তাৰ
শান্তিতে তোমালোকৰো শান্তি হ'ব। ৮ কাৰণ ইস্ৰায়েলৰ ঈশ্বৰ
বাহিনীসকলৰ যিহোৱাই এইদৰে কৈছে: 'তোমালোকৰ মাজত থকা
তোমালোকৰ ভাববাদী আৰু মঙ্গলতীসকলে তোমালোকক নুভুলাওক,
নাইবা তোমালোকৰ সপোনত তোমালোকক দেখুউৱা কথালৈ কাণ
নিদিবা। ৯ কিয়নো তেওঁলোকে মিছাকৈ মোৰ নামেৰে তোমালোকৰ
আগত ভাববাণী প্ৰচাৰ কৰে; যিহোৱাই কৈছে, মই তেওঁলোকক
পঠোৱা নাই। ১০ কিয়নো যিহোৱাই এইদৰে কৈছে: 'বাবিলত থকা
সত্তৰ বছৰ পূৰ হ'ল, মই তোমালোকৰ বিচাৰ ল'ম আৰু এই ঠাইলৈ
তোমালোকক ওলোটাই আনি তোমালোকলৈ মোৰ মঙ্গল বাক্য সিদ্ধ
কৰিম। ১১ কাৰণ যিহোৱাই কৈছে, মই তোমালোকৰ বিষয়ে কৰা
সঙ্কল্প ময়েই জানো; তোমালোকৰ শেষ-অৱস্থাত তোমালোকক আশা
দিবলৈ সেয়ে মঙ্গলৰ সঙ্কল্প, অমঙ্গলৰ নহয়। ১২ আৰু তেতিয়া
তোমালোকে মোক মাতিবা আৰু গৈ মোৰ আগত প্ৰাৰ্থনা কৰিবা;
তেতিয়া মই তোমালোকৰ কথা শুনিম। ১৩ আৰু তোমালোকে সমস্ত
মনেৰে মোক বিচাৰিলে মোক বিচাৰি পাবা। ১৪ আৰু যিহোৱাই কৈছে:
'মই তোমালোকক মোক পাবলৈ দিম, মই তোমালোকৰ বন্দী-অৱস্থা
পৰিবৰ্ত্তন কৰিম, আৰু মই তোমালোকক দেশান্তৰিত কৰা সকলো
জাতিৰ পৰা আৰু সকলে ঠাইৰ পৰা তোমালোকক গোটাই আনিম,'
ইয়াক যিহোৱাই কৈছে: 'আৰু যি ঠাইৰ পৰা মই তোমালোকক বন্দী
কৰি নিয়ালোঁ, সেই ঠাইলৈ পুনৰায় আনিম। ১৫ যিহেতু তোমালোকে
কৈছা, যিহোৱাই বাবিলত আমাৰ কাৰণে ভাববাদীসকলক উৎপন্ন
কৰিলে, ১৬ এই হেতুকে তোমালোকে জানিবা, যে, দায়ুদৰ সিংহাসনৰ

ওপৰত বহোঁতা ৰজাৰ, আৰু তোমালোকৰ সৈতে দেশান্তৰলৈ নোযোৱা
তোমালোকৰ ভাই এই নগৰ-নিবাসী সকলো প্ৰজাৰ বিষয়ে যিহোৱাই
এইদৰে কৈছে: ১৭ বাহিনীসকলৰ যিহোৱাই এই কথা কৈছে, ‘চোৱা,
মই তেওঁলোকৰ মাজলৈ তৰোৱাল, আকাল, আৰু মহামাৰী পঠিয়াম;
আৰু তোমালোক অতি বেয়া হোৱাৰ কাৰণে মই তোমালোকক খাব
নোৱাৰা ঘিণলগীয়া ডিমৰু গুটিৰ দৰে কৰিম। ১৮ মই তৰোৱাল,
আকাল, আৰু মহামাৰী লৈ তেওঁলোকৰ পাছে পাছে খেদিম, আৰু
পৃথিৱীৰ সকলো ৰাজ্যৰ মাজত তেওঁলোকক ত্ৰাসৰ বিষয় কৰিম; আৰু
মই তেওঁলোকক খেদাই দিয়া সকলো জাতিৰ মাজত তেওঁলোকক
শাও, আচৰিত, ইচ্ ইচ্ আৰু ধিক্কাৰৰ বিষয় কৰিম। ১৯ কাৰণ
যিহোৱাই কৈছে: ‘মই অতি প্ৰভাতে উঠি তেওঁলোকৰ ওচৰলৈ মোৰ
দাস ভাববাদীসকলৰ দ্বাৰাই পঠোৱা মোৰ বাক্যলৈ তোমালোকে কাণ
নিদিলা;’ যিহোৱাই কৈছে: ‘তোমালোকে মোৰ বাক্য শুনিবলৈ ইচ্ছা
নকৰিলা।’ ২০ এই হেতুকে যিৰূচালেমৰ পৰা বাবিললৈ মই পঠোৱা
দেশান্তৰিত হোৱা যি তোমালোক, সকলোৱে যিহোৱাৰ বাক্য শুনা:
২১ ‘কোলায়াৰ পুত্ৰ যি আহাবে, আৰু মাচেয়াৰ পুত্ৰ যি চিদিকিয়াই
মোৰ নামেৰে তোমালোকৰ আগত মিছা ভাববাণী প্ৰচাৰ কৰিলে,
তেওঁলোকৰ বিষয়ে ইস্ৰায়েলৰ ঈশ্বৰ বাহিনীসকলৰ যিহোৱাই এইদৰে
কৈছে: ‘চোৱা, মই তেওঁলোকক তোমালোকৰ চকুৰ আগতেই বাবিলৰ
ৰজা নবূখদনেচৰৰ হাতত শোধাই দিম। ২২ আৰু বাবিলৰ ৰজাই জুইত
পোৰা চিদিকিয়া আৰু আহাবৰ দৰে যিহোৱাই তোমাক কৰক বুলি
কৈ, বাবিলত থকা যিহূদাৰ সকলো দেশান্তৰিত লোকে তেওঁলোকক
দৃষ্টান্তৰ স্থল কৰি শাও দিব।’ ২৩ কিয়নো তেওঁলোকে ইস্ৰায়েলৰ
মাজত অজ্ঞানতাৰ কাৰ্য কৰিলে, আৰু নিজ নিজ ওচৰ-চুবুৰীয়াৰ
স্ত্ৰীলৈ গমন কৰিলে, আৰু মই তেওঁলোকক আজ্ঞা নিদিয়া বাক্য
মিছাকৈয়ে মোৰ নামেৰে প্ৰচাৰ কৰিলে।’ যিহোৱাই কৈছে: ‘ময়েই
জানো, আৰু ময়েই সাক্ষী আছোঁ।’ ২৪ তুমি নিহিলামীয়া চময়িয়াৰ
বিষয়ে এই কথা কোৱা: ২৫ ‘ইস্ৰায়েলৰ ঈশ্বৰ বাহিনীসকলৰ যিহোৱাই
এইদৰে কৈছে: যিৰূচালেমত থকা সকলো লোকলৈ, আৰু মাচেয়াৰ

পুত্ৰ চফনিয়া পুৰোহিত আদি সকলো পুৰোহিতলৈ তুমি নিজৰ নামেৰে
পত্ৰ পঠিয়াই কৈছা, ২৬ “যি কোনো মানুহে বলীয়া হৈ নিজকে ভাববাদী
পাতে, সেই মানুহক কুন্দাত আৰু শিকলিত বন্ধ কৰিবলৈ, যিহোৱাৰ
গৃহত অধ্যক্ষ হবৰ কাৰণে যিহোয়াদা পুৰোহিতৰ সলনি যিহোৱাই
তোমাক পুৰোহিত নিযুক্ত কৰিলে। ২৭ এই হেতুকে অনাথোতীয়া
যি যিৰিমিয়াই তোমালোকৰ আগত নিজকে নিজে ভাববাদী পাতে,
সেই যিৰিমিয়াক তুমি কিয় ধমকি দিয়া নাই? ২৮ কিয়নো বাবিলত
থকা আমালৈ তেওঁ কৈ পঠিয়াইছে, যে, বহুদিন হ’ব, তোমালোকে
ঘৰ সাজি তাত বাস কৰা, বাৰী পাতি তাৰ ফল ভোগ কৰা’।” ২৯
চফনিয়া পুৰোহিতে সেই পত্ৰখন যিৰিমিয়া ভাববাদীয়ে শুনাকৈ পাঠ
কৰিলে। ৩০ তাতে যিৰিমিয়াৰ ওচৰলৈ যিহোৱাৰ বাক্য আহিল,
বোলে, ৩১ তুমি দেশান্তৰিত হোৱা লোকসকলৰ আগলৈ এই কথা কৈ
পঠিওৱা, যিহোৱাই নিহিলামীয়া বিষয়ে এই কথা কৈছে, মই চময়িয়াক
নপঠোৱাকৈয়ে তেওঁ তোমালোকৰ আগত ভাববাণী প্ৰচাৰ কৰিলে,
আৰু মিছা কথাত তোমালোকৰ বিশ্বাস জন্মালে। ৩২ এই হেতুকে
যিহোৱাই এই কথা কৈছে: চোৱা, মই নিহিলামীয়া চময়িয়াক আৰু তাৰ
বংশক দণ্ড দিম; এই জাতি সমূহৰ মাজত বসতি কৰিবলৈ তাৰ এটি
সন্তানো নাথাকিব, আৰু যিহোৱাই কৈছে, মই মোৰ প্ৰজাসকলৰ যি
মঙ্গল কৰিম, তাক তেওঁ ভোগ কৰিবলৈ নাপাব; কাৰণ তেওঁ যিহোৱাৰ
বিৰুদ্ধে বিদ্ৰোহৰ কথা ক’লে’।”

**৩০** যিহোৱাৰ পৰা যিৰিমিয়ালৈ অহা বাক্য এই আৰু ক’লে, ২
“ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাই এই কথা কৈছে: ‘মই তোমাৰ আগত কোৱা
সকলো বাক্য এখন পুথিত লিখি থোৱা। ৩ কিয়নো যিহোৱাই কৈছে,
‘চোৱা, মই যি দিনা মোৰ প্ৰজা ইস্ৰায়েল আৰু যিহূদাৰ বন্দী-অৱস্থা
পৰিবৰ্ত্তন কৰিম, এনে দিন আহিছে,’ ইয়াক যিহোৱাই কৈছে, ‘মই
তেওঁলোকৰ পূৰ্বপুৰুষসকলক যি দেশলৈ তেওঁলোকক ওভটাই আনিম
আৰু তেওঁলোকে তাক অধিকাৰ কৰিব।” ৪ ইস্ৰায়েল আৰু যিহূদাৰ
বিষয়ে যিহোৱাই কোৱা বাক্য এইবোৰ: ৫ “সঁচাকৈয়ে যিহোৱাই
এইদৰে কৈছে: ‘আমি শান্তিজনক নোহোৱা কম্পন আৰু ভয়ৰ শব্দ

শুনিলোঁ। ৬ এতিয়া তোমালোকে সুধি চোৱা, পুৰুষৰ প্ৰসৱ-বেদনা
হয় নে? প্ৰসৱকাৰিণীৰ দৰে প্ৰত্যেক পুৰুষে কঁকালত হাত দি থকা
মই কিয় দেখিছোঁ? আৰু প্ৰসৱকাৰিণী স্ত্ৰীৰ দৰে সকলোৰে মুখ কিয়
বিবৰ্ণ হৈছে? ৭ হায় হায়! সেই দিন ইমান মহৎ, যে, তাৰ নিচিনা আৰু
কোনো দিন নাই। এয়ে যাকোবৰেই সঙ্কটৰ কাল, কিন্তু তেওঁ তাৰ
পৰা ৰক্ষা পাব। ৮ আৰু বাহিনীসকলৰ যিহোৱাই কৈছে: সেই দিনা
মই তোমাৰ ডিঙিৰ পৰা তেওঁৰ যুৱলি ভাঙি পেলাম; আৰু তোমাৰ
যোত-জৰীবোৰ চিঙি পেলাম, বিদেশীসকলে তেওঁক আৰু বন্দী-
কাম নকৰাব। ৯ কিন্তু তেওঁলোকে তেওঁলোকৰ ঈশ্বৰ যিহোৱাৰ
ভজনা কৰিব আৰু মই যি জনাক তেওঁলোকৰ ওপৰত নিযুক্ত কৰিম,
তেওঁলোকৰ সেই ৰজা দায়ুদৰ বন্দী-কাম কৰিব। ১০ এই হেতুকে,
যিহোৱাই কৈছে, হে মোৰ দাস যাকোব, ভয় নকৰিবা; হে ইস্ৰায়েল
ব্যাকুল নহবা। কিয়নো চোৱা, মই দূৰৰ পৰা তোমাক, আৰু বন্দী-
অৱস্থাত থকা দেশৰ পৰা তোমাৰ বংশক নিস্তাৰ কৰিম। কাৰণ
যাকোব ঘূৰি আহি নিৰ্ভয় আৰু নিশ্চিন্ত হৈ থাকিব, কোনেও তেওঁক ভয়
নেদেখুৱাব। ১১ কিয়নো, যিহোৱাই কৈছে, ‘তোমাক ৰক্ষা কৰিবলৈ
তোমাৰ লগত আছোঁ; কাৰণ মই যি জাতিৰ মাজলৈ তোমাক ছিন্ন-ভিন্ন
কৰিলোঁ, সেই আটাই জাতিক মই নিঃশেষে সংহাৰ কৰিলেও, তোমাক
নিঃশেষে সংহাৰ নকৰিম; কিন্তু তোমাক সুবিচাৰেৰে শাস্তি দিম,
তোমাক কোনোমতেই দণ্ড নিদিয়াকৈ নেৰোঁ। ১২ কিয়নো যিহোৱাই
এই কথা কৈছে, তোমাৰ ক্ষত চিকিৎস্যাৰ বাহিৰে, আৰু তোমাৰ
ঘা কষ্টদায়ক। ১৩ তোমাক আৰোগ্য কৰিবলৈ কোনেও গাত নলয়,
তোমাৰ ঘা সুস্থ কৰিব পৰা কোনো ঔষধ নাই। ১৪ তোমাৰ প্ৰেমকাৰিণী
সকলোৱে তোমাক পাহৰিলে, তেওঁলোকে তোমাক নিবিচাৰে, কিয়নো
তোমাৰ অপৰাধৰ বহুল্যৰ কাৰণে, তোমাৰ পাপৰ বৃদ্ধিৰ কাৰণে
শত্ৰূৱে আঘাত কৰাৰ দৰে মই তোমাক আঘাত কৰিলোঁ, নিষ্ঠুৰ লোকে
শাস্তি দিয়াৰ দৰে শাস্তি দিলোঁ। ১৫ তোমাৰ ক্ষমতাৰ কাৰণে তুমি
কিয় চিঞৰিছা? তোমাৰ বেদনা উপশম হ’ব নোৱাৰা অৱস্থাত।
তোমাৰ অনেক অপৰাধৰ কাৰণে তোমাৰ পাপৰ বৃদ্ধিৰ কাৰণে, মই

তোমালৈ এইবোৰ কৰিলোঁ। ১৬ এই হেতুকে তোমাক গ্ৰাস কৰোঁতা
সকলোকে গ্ৰাস কৰা হ'ব, আৰু তোমাৰ আটাই শত্ৰুবোৰৰ প্ৰত্যেকে
বন্দী-অৱস্থালৈ যাব। তোমাৰ লুটকাৰীসকল লুটৰ বিষয় হ'ব, আৰু
তোমাক চিকাৰ কৰোঁতা সকলোকে মই চিকাৰস্বৰূপ কৰিম। ১৭
কিয়নো যিহোৱাই কৈছে, 'মই তোমাক পুনৰায় আৰোগ্য কৰিম; আৰু
তোমাৰ ঘাঁবোৰ সুস্থ কৰি। কাৰণ কোনো মানুহে নিবিচৰা এয়ে চিয়োন
বুলি কৈ লোকে তোমাক সমাজভ্ৰষ্টা বোলে।" ১৮ যিহোৱাই এই কথা
কৈছে: চোৱা, মই যাকোবৰ বন্দী-অৱস্থা পৰিবৰ্ত্তন কৰিম, আৰু তেওঁৰ
বাসস্থানবোৰলৈ কৃপা কৰিম। আৰু নগৰখন নিজ উপপৰ্ব্বতৰ ওপৰত
পুনৰায় সজা হ'ব, আৰু ৰাজগৃহত ৰীতিমতে মানুহৰ বসতি হ'ব। ১৯
আৰু সেইবোৰৰ পৰা স্তুতি-গীত আৰু আমোদকাৰীসকলৰ ধ্বনি উঠিব,
মই তেওঁলোকক বৃদ্ধি কৰিম, তেতিয়া তেওঁলোক কম নহ'ব; মই
তেওঁলোকক গৌৰৱযুক্তও কৰিম, তাতে তেওঁলোক সামান্য নহ'ব।
২০ তেওঁলোকৰ সন্তান-সন্ততিসকল আগৰ দৰে হ'ব, তেওঁলোকৰ
মণ্ডলী মোৰ আগত স্থাপিত হ'ব, আৰু মই তেওঁলোকৰ উপদ্ৰৱকাৰী
সকলোকে দণ্ড দিম। ২১ তেওঁলোকৰ অধিপতি তেওঁলোকৰ ভিতৰতে
হ'ব, আৰু তেওঁলোকৰ শাসনকৰ্ত্তা তেওঁলোকৰ মাজৰ পৰা ওলাব;
আৰু মই তেওঁক মোৰ ওচৰ চপাম, তেতিয়া তেওঁ মোৰ ওচৰ চাপিব;
কিয়নো যিহোৱাই কৈছে, মোৰ ওচৰলৈ আহিবলৈ কাৰ সাহস আছে?"
২২ আৰু তোমালোক মোৰ প্ৰজা হ'বা, আৰু মই তোমালোকৰ ঈশ্বৰ
হ'ম। ২৩ সৌৱা চোৱা, যিহোৱাৰ প্ৰচণ্ড ক্ৰোধৰূপ ধুমুহা, এনে কি,
উৰুৱাই নিয়া প্ৰবল বতাহ আহিছে। সেয়ে দুষ্টবোৰৰ মূৰত কোবেৰে
লাগিব। ২৪ যিহোৱাই নিজ কাৰ্য নিস্পত্তি নকৰালৈকে আৰু নিজ মনৰ
অভিপ্ৰায় সিদ্ধ নকৰালৈকে, তেওঁ প্ৰচণ্ড ক্ৰোধ নাথামিব। তোমালোকে
শেষ কালত তাক বুজিবা।"

**৩১** "সেই সময়ত" - যিহোৱাৰ এই ঘোষণা - "মই ইস্ৰায়েলৰ সকলো
গোষ্ঠীৰ ঈশ্বৰ হ'ম, আৰু তেওঁলোক মোৰ প্ৰজা হ'ব।" ২ যিহোৱাই
এই কথা কৈছে: যি ইস্ৰায়েলৰ লোকসকলে তৰোৱালৰ পৰা ৰক্ষা
পাই জীয়াই আছিল তেওঁলোক অৰণ্যত দয়া পালে। ৩ যিহোৱাই

অতীতৰ পৰা দৰ্শন দিলে, আৰু মোক ক'লে, 'সঁচাকৈ মই চিৰস্থায়ী
প্ৰেমেৰে তোমাক প্ৰেম কৰোঁ। এই কাৰণে মই তোমাক বহুকালৰে
পৰা দয়া কৰি আহিছোঁ। ৪ হে কুমাৰী ইস্ৰায়েল, মই তোমাক পুনৰ
নিৰ্ম্মাণ কৰিম, তাতে তুমি নিৰ্ম্মিত হ'বা। তুমি তোমাৰ খঞ্জৰীৰে
পুনৰায় ভুষিতা হ'বা, আৰু আমোদকাৰীসকলৰ লগত নাচিবাগি
ওলাই যাবা। ৫ তুমি চমৰিয়াৰ পৰ্বতবোৰত পুনৰায় দ্ৰাক্ষাবাৰী
পাতিবা; খেতিয়কসকলে তাক ৰুব, আৰু তাৰ ফল ভোগ কৰিব। ৬
কিয়নো ইফ্ৰয়িমৰ পৰ্ব্বতত প্ৰহৰীসকলে ঘোষণা কৰিব বোলে, 'উঠা,
ব'লা, আমাৰ ঈশ্বৰ যিহোৱাৰ গুৰিলৈ চিয়োনলৈ যাওহঁক'।" ৭ কাৰণ
যিহোৱাই এই কথা কৈছে: "তোমালোকে যাকোবৰ কাৰণে আনন্দেৰে
গীত গোৱা! আৰু জাতিবোৰৰ মুখিয়ালসকলৰ কাৰণে উল্লাসেৰে
জয়-ধ্বনি কৰা, প্ৰচাৰ কৰা! প্ৰশংসা কৰা। আৰু কোৱা, 'যিহোৱাই
নিজ প্ৰজা ইস্ৰায়েলৰ অৱশিষ্ট ভাগক ৰক্ষা কৰিলে।' ৮ চোৱা, মই
তেওঁলোকক উত্তৰ দিশৰ পৰা আনিম। মই পৃথিৱীৰ অন্তভাগৰ পৰা
তেওঁলোকক গোট খুৱাম। তেওঁলোকৰ মাজত অন্ধ আৰু খোৰা লোক
থাকিব; গৰ্ভৱতী আৰু গৰ্ভবেদনা পোৱা মহিলাসকল তেওঁলোকৰ লগত
থাকিব। আৰু এই ঠাইলৈ এটা মহান সভা ঘূৰি আহিব। ৯ তেওঁলোকে
ক্ৰন্দন কৰি আহিব; আৰু তেওঁলোকে বিনয় কৰি থকা অৱস্থাত মই
তেওঁলোকক চলাম। মই তেওঁলোকক জুৰিৰ ওচৰেদি গমন কৰাম যি
পোন বাটত তেওঁলোকে যেন উজুটি নাখাই, কিয়নো মই ইস্ৰায়েলৰ
পিতৃ, আৰু ইফ্ৰয়িম মোৰ জেষ্ট পুত্ৰ।" ১০ হে জাতি সমূহ, যিহোৱাৰ
বাক্য শুনা। দূৰত থকা দ্বীপবোৰত সেই বিষয়ে প্ৰচাৰ কৰা। হে
জাতি সমূহ, তোমালোকে কোৱা, "যি জনে ইস্ৰায়েলক ছিন্ন-ভিন্ন
কৰিছিল, তেৱেঁই তাইক গোটাব, আৰু ৰখীয়াই নিজৰ জাকক ৰখাৰ
দৰে তেওঁ তাইক সেইদৰে ৰাখিব।" ১১ কিয়নো যিহোৱাই যাকোবক
মোকলালে, আৰু তাতকৈ অধিক বলৱান জনৰ হাতৰ পৰা তেওঁক মুক্ত
কৰিলে। ১২ তেতিয়া তেওঁলোকে আহি চিয়োনৰ উচ্চস্থানত আনন্দ
কৰিব। তেওঁলোকে যিহোৱাৰ সততাত আনন্দ কৰিব, যেনে ঘেহুঁ,
নতুন দ্ৰাক্ষাৰস, তেল আৰু মেৰ-ছাগৰ জাকৰ পোৱালিবোৰ। কিয়নো

তেওঁলোকৰ জীৱন পানী দিয়া উদ্যানৰ নিচিনা হ'ব, আৰু তেওঁলোকে
কেতিয়াও পুনৰ শোক অনুভৱ নকৰিব। ১৩ তেতিয়া যুৱতীসকলে
নাচত আনন্দ কৰিব আৰু ডেকা আৰু বুঢ়া লোকসকলে একে লগে
তেওঁলোকৰ সৈতে আনন্দ কৰিব। "কিয়নো মই তেওঁলোকৰ বিলাপ
হৰ্ষলৈ পৰিবৰ্ত্তন কৰিম। মই তেওঁলোকৰ ওপৰত দয়া কৰিম, আৰু
তেওঁলোকৰ শোক গুচাই তাৰ সলনি তেওঁলোকক আনন্দিত কৰাম।
১৪ আৰু মই পুষ্টিকৰ দ্ৰব্যেৰে পুৰোহিতসকলৰ মন প্ৰচুৰতাৰে তৃপ্ত
কৰিম। আৰু মোৰ প্ৰজাসকলে মোৰ উত্তম বস্তুৰে নিজকে পৰিপূৰ্ণ
কৰিব" - এয়ে যিহোৱাৰ ঘোষণা। ১৫ যিহোৱাই এই কথা কৈছে:
"ৰামাত বিলাপৰ আৰু ক্ৰন্দাৰ শব্দ শুনা গৈছে। ৰাহেলে নিজৰ সন্তান
সকলৰ কাৰণে ক্ৰন্দন কৰিছে; তেওঁ নিজৰ সন্তান সকলৰ বিষয়ে
শান্তনা দিয়া কথা নামানে, কিয়নো তেওঁলোক আৰু জীৱিত নাই।"
১৬ যিহোৱাই এই কথা কৈছে: "তুমি ক্ৰন্দন কৰিবলৈ আৰু চকু-লো
বোৱাবলৈ এৰা; কিয়নো তোমাৰ কষ্টৰ পুৰস্কাৰ দিয়া হ'ব" - এয়ে
যিহোৱাৰ ঘোষণা। "তোমাৰ সন্তান সকল শত্ৰূৰ দেশৰ পৰা পুনৰায়
আহিব। ১৭ তোমাৰ শেষ অৱস্থাৰ বিষয়ে আশা আছে" - এয়ে যিহোৱাৰ
বচন। "তোমাৰ সন্তান সকল নিজৰ অঞ্চললৈ ঘূৰি আহিব।" ১৮ "মই
ইফ্ৰয়িমক বিলাপেৰে সঁচাকৈ কোৱা শুনিলোঁ। 'তুমি মোক শাস্তি দিলা,
আৰু মই শাস্তি ভোগ কৰিলোঁ। যুৱলিত অভ্যাস নোহোৱা দামুৰি
পোৱালিৰ নিচিনাকৈ তুমি মোক ঘূৰুউৱা, তাতে মই ঘূৰিম, কিয়নো
তুমিয়েই মোৰ ঈশ্বৰ যিহোৱা। ১৯ নিশ্চয়ে মই ঘূৰাৰ পাছতে মই মন
পালটালোঁ; আৰু মই শিক্ষা পোৱাৰ পাছত মই শোকত মোৰ বুকুত
চপৰিয়ালোঁ; মোৰ ডেকা কালৰ অপমান ভাৰ বোৱাৰ কাৰণে মই লাজ
পালোঁ এনে কি, বিবৰ্ণ হলোঁ।' ২০ ইফ্ৰয়িম মোৰ প্ৰিয় পুত্ৰ নহয় নে? সি
মোৰ মৰমৰ লৰা নহয় নে? কিয়নো যিমানবাৰ মই তাৰ অহিতে কথা
কওঁ, সিমানবাৰ পুনৰায় তাক অনুগ্ৰহেৰে সোঁৱৰণ কৰোঁ; এইদৰে
তাৰ কাৰণে মোৰ হৃদয়ে হেঁপাহ কৰে। অৱশ্যে মই তাক দয়া কৰিম।"
- এয়ে যিহোৱাৰ বচন। ২১ তুমি ঠায়ে ঠায়ে নিজৰ কাৰণে বাটৰ চিন
ৰাখা। তোমাৰ বাট দেখুউৱা খুঁটা স্থাপন কৰা; তুমি যি সুপথে গৈছিলা,

সেই পথ মনত ৰাখা, যি পথটো তুমি ল'বা। হে কুমাৰী ইস্ৰায়েল!
ওলোটা, পুনৰায় তোমাৰ এই নগৰবোৰলৈ উলটি আহাঁ। ২২ হে
অবিশ্বাসী জীয়াৰী, তুমি কিমান কাল অস্থিৰে থাকিবা? কাৰণ যিহোৱাই
পৃথিৱীত এটা নতুন বস্তু সৃষ্টি কৰিলে: তিৰোতাসকলে শক্তিশালী
পুৰুষসকলক আবৰি ধৰিব। ২৩ ইস্ৰায়েলৰ ঈশ্বৰ, বাহিনীসকলৰ
যিহোৱাই এই কথা কৈছে: "মই যেতিয়া এই লোকসকলৰ বন্দী-
অৱস্থা পৰিবৰ্ত্তন কৰিম, তেতিয়া তেওঁলোকে যিহূদা দেশত আৰু তাৰ
নগৰবোৰত পুনৰায় এই কথা ক'ব: 'হে ধৰ্মনিবাস, হে পবিত্ৰ পৰ্ব্বত,
যিহোৱাই তোমাক আশীৰ্ব্বাদ কৰক।' ২৪ কিয়নো যিহূদা আৰু তাৰ
সকলো নগৰবোৰে সেই ঠাইত বাস কৰিব। খেতিয়ক আৰু মেৰ-ছাগৰ
ৰখীয়াসকলে মেৰ-ছাগৰ জাক লৈ একে লগে তাত বাস কৰিব। ২৫
কিয়নো মই ভাগৰুৱাসকলক প্ৰাণ জুৰাৱাম, আৰু প্ৰত্যেক দুখিত প্ৰাণক
পৰিতৃপ্ত কৰিম"। ২৬ ইয়াৰ পাছত মই সাৰ পালোঁ আৰু মোৰ নিদ্ৰা
মোলৈ সুখদায়ক আছিল সেয়া অনুভৱ কৰিলোঁ। ২৭ যিহোৱাই কৈছে
- "চোৱা, এনে দিনবোৰ আহি আছে", যে, সেই দিনা মই ইস্ৰায়েল
আৰু যিহূদা বংশত মানুহ আৰু পশুস্বৰূপ গুটি সিঁচিম। ২৮ তেতিয়া
মই তেওঁলোকক উঘালিবলৈ, ভাঙিবলৈ, নিপাত কৰিবলৈ, বিনষ্ট
কৰিবলৈ আৰু দুখ দিবলৈ তেওঁলোকৰ পক্ষে যেনেকৈ জাগি আছিলোঁ,
তেওঁলোকক সাজিবলৈ আৰু ৰুবলৈ সেই দৰে তেওঁলোকৰ পক্ষে
জাগি থকিম" - এয়ে যিহোৱাৰ ঘোষণা। ২৯ সেই দিনবোৰত কোনো
এজন লোকে এনে কথা নকব, 'পিতৃসকলে টেঙা দ্ৰাক্ষা গুটি খালে,
কিন্তু পুতেকসকলৰ দাঁত টেঙালে।' ৩০ কিয়নো প্ৰতিজনে নিজ নিজ
অপৰাধৰ কাৰণে মৰিব; যি সকলে টেঙা দ্ৰাক্ষাগুটি খাব, তেওঁৰেইহে
দাঁত টেঙাব। ৩১ যিহোৱাই কৈছে: "চোৱা, এনে কোনো দিন আহি
আছে - "সেই দিনা মই ইস্ৰায়েল-বংশ আৰু যিহূদা বংশৰ সৈতে এক
নতুন নিয়ম স্থাপন কৰিম। ৩২ মিচৰ দেশৰ পৰা উলিয়াই অনাৰ
দিনত তেওঁলোকৰ পূৰ্বপুৰুষসকলৰ হাত ধৰিবৰ দিনা তেওঁলোকৰ
সৈতে যি নিয়ম স্থাপন কৰা হৈছিল সেই নিয়মটিৰ অনুসাৰে নহয়।
সেই দিনবোৰত তেওঁলোকে মোৰ নিয়মটি ভাঙিছিল, যদিও মই

তেওঁলোকৰ স্বামীৰ দৰে আছিলোঁ” - এয়ে যিহোৱাৰ ঘোষণা। ৩৩
“কিন্তু সেই দিনৰ পাছত ইস্রায়েল-বংশৰ লগত মই যি নিয়ম কৰিম,
সেই নিয়মটি এই” - মই তেওঁলোকৰ অন্তৰত মোৰ নিয়ম স্থাপন কৰিম,
আৰু তেওঁলোকৰ হৃদয়ত সেই বিষয়ে লিখিম, কিয়নো মই তেওঁলোকৰ
ঈশ্বৰ হ'ম আৰু তেওঁলোক মোৰ প্রজা হ'ব। ৩৪ তেতিয়া প্রতিজনে নিজ
নিজ ওচৰ-চুবুৰীয়াক বা প্রতিজনে নিজ নিজ ভাইক এই শিক্ষা নিদিব
বোলে, ‘যিহোৱাক জানা!’ কিয়নো তেওঁলোকৰ সকলো বৰৰ পৰা
সৰুলৈকে সকলোৱে মোক জানিব” - এয়ে যিহোৱাৰ ঘোষণা। “কিয়নো
মই তেওঁলোকৰ অপৰাধ ক্ষমা কৰিম আৰু তেওঁলোকৰ পাপ মই আৰু
কেতিয়াও নুসুঁৱৰিম।” ৩৫ যিহোৱাই এইদৰে কৈছে - যি জন যিহোৱাই
দিনৰ পোহৰৰ কাৰণে সুৰ্য্য আৰু ৰাতিৰ পোহৰৰ কাৰণে চন্দ্ৰ আৰু
তৰাবোৰৰ নিয়ম স্থাপন কৰে, যি জনে সাগৰৰ ঢৌৰে গৰ্জ্জন কৰাকৈ
সমুদ্ৰক আস্ফালন কৰায়, বাহিনীসকলৰ যিহোৱাৰ নামেৰে তেওঁ এই
কথা কৈছে: ৩৬ “যদিহে এই স্থায়ী নিয়মবোৰ মোৰ আগৰ পৰা গুচে” -
যিহোৱাই এই কথা কৈছে - তেন্তে ইস্রায়েল বংশও চিৰকালৰ কাৰণে
মোৰ আগত এক জাতি হোৱাৰ পৰা স্থগিত হ'ব।” ৩৭ যিহোৱাই
এই কথা কৈছে: যদি ওপৰত আকাশ-মণ্ডল জুখিব পাৰি, আৰু তলত
পৃথিৱীৰ মূলবোৰ অনুসন্ধান কৰিব পাৰি, তেনেহ'লে ইস্রায়েলে কৰা
সকলো কৰ্মৰ কাৰণে মইও গোটেই ইস্রায়েল-বংশক দূৰ কৰিম - এয়ে
যিহোৱাৰ বচন। ৩৮ যিহোৱাই এই কথা কৈছে - “চোৱা, এনে কোনো
দিন আহি আছে” - যি দিনা মোৰ উদ্দেশ্যে হননেলৰ কোঁঠৰ পৰা চুকৰ
দুৱাৰলৈকে নগৰখন সজা হ'ব, ৩৯ তেতিয়া পৰিমাণ-জৰী গাৰেব
পৰ্ব্বতলৈকে পোনে পোনে টনা যাব; আৰু ঘূৰি গোৱালৈ আহিব। ৪০
আৰু মৰা শৱ আৰু ছাঁই পেলোৱা গোটাই উপত্যকা, আৰু কিদ্ৰোণ
জুৰিলৈকে সকলো মুকলি ঠাই পূবফালে থকা অশ্ব-দুৱাৰৰ চুকলৈকে
যিহোৱাৰ উদ্দেশ্যে পবিত্ৰ হ'ব; তাক চিৰকালৰ কাৰণে উঘলা বা
কেতিয়াও পৰাভূত কৰা নহ'ব।”

**৩২** যিহূদাৰ চিদিকিয়া ৰজাৰ ৰাজত্ব কালৰ দশম বছৰত, অৰ্থাৎ
নবূখদনেচৰৰ ৰাজত্ব কালৰ অষ্টাদশ বছৰত যিহোৱাৰ পৰা যিৰিমিয়াৰ

ওচৰলৈ যি বাক্য আহিছিল, তাৰ বিষয় এই। ২ সেই সময়ত, বাবিলৰ
ৰজাৰ সৈন্য-সামন্তই যিৰূচালেম অৱৰোধ কৰিছিল, আৰু যিৰিমিয়া
ভাববাদী যিহূদাৰ ৰাজগৃহৰ প্ৰহৰীৰ চোতালত বন্দী অৱস্থাত আছিল।
৩ যিহূদাৰ ৰজা চিদিকিয়াই তেওঁক বন্দী কৰি থৈ কৈছিল, "তুমি
এই বুলি কিয় ভাববাণী প্ৰচাৰ কৰিছা বোলে, 'যিহোৱাই এইদৰে
কৈছে: চোৱা, মই এই নগৰখন বাবিলৰ ৰজাৰ হাতত সমৰ্পণ কৰিম,
আৰু তেওঁ তাক অধিকাৰ কৰি ল'ব; ৪ যিহূদাৰ ৰজা চিদিকিয়া
কলদীয়াসকলৰ হাতৰ পৰা সাৰি নাজাব কিয়নো তেওঁক অৱশ্যে
বাবিলৰ ৰজাৰ হাতত শোধাই দিয়া হ'ব। তেওঁ সন্মুখা-সন্মুখি হৈ ৰজাৰ
লগত কথা হ'ব, আৰু তেওঁ ৰজাৰ চকুৱে চকুৱে দেখা দেখি হ'ব; ৫
কিয়নো চিদিকিয়া বাবিললৈ যাব, আৰু মই তেওঁৰ বিচাৰ নকৰালৈকে
তাতেই তেওঁ থকিব" - এয়ে যিহোৱাৰ ঘোষণা। তোমালোকে যদিও
কলদীয়াসকলৰ সৈতে ৰণ কৰিছা, তথাপি কৃতকাৰ্য্য নহ'বা," ৬
যিৰিমিয়াই ক'লে, "যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, আৰু ক'লে,
৭ 'চোৱা, তোমাৰ দদায়েৰা চল্লুমৰ পুত্ৰ হনমেলে তোমাৰ ওচৰলৈ
আহি এই কথা ক'ব, "অনাথোতত থকা মোৰ শস্যক্ষেত্ৰখন তুমি
নিজৰ কাৰণে কিনি লোৱা, কিয়নো তাক কিনি মোকলাবলৈ তোমাৰ
স্বত্ব আছে"।" ৮ পাছত যিহোৱাৰ বাক্য অনুসাৰে মোৰ দদাইৰ পুত্ৰ
হনমেলে প্ৰহৰীৰ চোতাললৈ মোৰ ওচৰলৈ আহি ক'লে, "মই বিনয়
কৰোঁ, বিন্যামীন দেশৰ অনাথোত থকা মোৰ শস্যক্ষেত্ৰখন তুমি কিনি
লোৱা, কিয়নো তাৰ উত্তৰাধীকাৰ আৰু মোকলাবৰ স্বত্ব তোমাৰ;
তুমি নিজৰ কাৰণে তাক কিনি লোৱা।" তেতিয়া, এয়ে যে যিহোৱাৰ
বাক্য, সেই বিষয়ে মই জানিলোঁ। ৯ এই কাৰণে মই মোৰ দদাইৰ
পুত্ৰক হনমেলৰ পৰা অনাথোতত থকা শস্যক্ষেত্ৰখন কিনি লৈ তাৰ
ধন সোঁতৰ চেকল ৰূপ তেওঁক জুখি দিলোঁ। ১০ মই দলীলত চহী দি
তাক মোহৰ মাৰি বন্ধ কৰিলোঁ, আৰু সাক্ষী মাতি, তেওঁক তৰ্জুত সেই
ৰূপ জুখি দিলোঁ। ১১ তাৰ পাছত মই মাটিৰ বৰ্ণনা আৰু নিয়ম থকা
খৰিদা দলীল দুখন, অৰ্থাৎ মোহৰ মাৰি বন্ধ কৰা আৰু খোলা এই
দুয়োখন ললোঁ। ১২ তাৰ পাছত মোৰ দদাইৰ পুত্ৰ হনমেলৰ সন্মুখত,

খৰিদা দলীলত চহী দিয়া সাক্ষীবোৰৰ আগত আৰু প্ৰহৰীৰ চোতালত
বহি থকা সকলো যিহুদী লোকৰ আগত মই এই খৰিদা দলীলখন
মহচেয়াৰ নাতিয়েক নেৰিয়াৰ পুত্ৰ বাৰুকৰ হাতত শোধাই দিলোঁ।
১৩ তেতিয়া তেওঁলোকৰ আগতে বাৰুকক মই এই আজ্ঞা দিলোঁ, মই
ক'লো ১৪ "ইস্ৰায়েলৰ ঈশ্বৰ বাহিনীসকলৰ যিহোৱাই এই কথা কৈছে:
'তুমি মোহৰ মাৰি বন্ধ কৰা এই খৰিদা দলীলখন আৰু এই খোলা
দলীলখন, দুয়োখন লৈ বহুদিনলৈ থাকিবৰ কাৰণে এক নতুন মাটিৰ
পাত্ৰত থোৱা।' ১৫ কিয়নো ইস্ৰায়েলৰ ঈশ্বৰ বাহিনীসকলৰ যিহোৱাই
এই কথা কৈছে: 'ঘৰ, শস্যক্ষেত্ৰ আৰু দ্ৰাক্ষাবাৰী এই দেশত পুনৰায়
কিনা যাব'।" ১৬ নেৰিয়াৰ পুত্ৰ বাৰুকক এই খৰিদা দলীলখন দিয়াৰ
পাছত মই যিহোৱাৰ আগত প্ৰাৰ্থনা কৰি ক'লোঁ, ১৭ "হে প্ৰভু যিহোৱা,
চোৱা, তুমিয়েই তোমাৰ মহা শক্তিৰে আৰু মেলা বহুৰে আকাশ-মণ্ডল
আৰু পৃথিৱী নিৰ্মাণ কৰিলা। তোমাৰ অসাধ্য একোৱেই নাই; ১৮
তুমি হাজাৰ হাজাৰ লোকলৈ দয়া প্ৰকাশ কৰোঁতা, আৰু লোকসকলৰ
অপৰাধৰ প্ৰতিফল তেওঁলোকৰ পাছত হোৱা তেওঁলোকৰ সন্তান-
সন্ততিৰ বুকুত দিওঁতা। তুমিয়ে মহান পৰাক্ৰমী ঈশ্বৰ; বাহিনীসকলৰ
যিহোৱা তোমাৰ নাম। ১৯ তুমি জ্ঞানত মহান, আৰু কাৰ্যত শ্ৰেষ্ঠ,
কিয়নো প্ৰতিজনৰ আচাৰ-ব্যৱহাৰ আৰু কাৰ্যৰ ফল অনুসাৰে প্ৰতিফল
দিবলৈ মনুষ্য সন্তান সকলৰ আটাই আচাৰ-ব্যৱহাৰৰ ওপৰত তোমাৰ
চকু মেলা আছে। ২০ তুমি মিচৰ দেশত নানা চিন আৰু বিস্মিত লক্ষণ
দেখুৱাইছিলা। আজিলৈকে ইস্ৰায়েল আৰু আন আন লোকসকলৰ
মাজত তুমি নিজৰ কাৰণে তোমাৰ নাম প্ৰখ্যাত কৰিলা। ২১ তুমি
নানা চিন, বিস্মিত লক্ষণ, বলী হাত, মেলা বাহু আৰু মহাভয়ানকতাৰে
তোমাৰ প্ৰজা ইস্ৰায়েলৰ লোকসকলক মিচৰ দেশৰ পৰা উলিয়াই
আনিছিলা। ২২ আৰু গাখীৰ মৌ-জোল বৈ যোৱা যি দেশ তেওঁলোকক
দিম বুলি তুমি তেওঁলোকৰ পূৰ্বপুৰুষসকলৰ আগত শপত কৰিছিলা,
সেই দেশ তুমি তেওঁলোকক দিলা। ২৩ তেতিয়া তেওঁলোকে সোমাই
তাক অধিকাৰ কৰি ল'লে। কিন্তু তেওঁলোকে তোমাৰ বাক্য পালন
নকৰিলে, বা তোমাৰ ব্যৱস্থাত নচলিলে। তুমি তেওঁলোকক যি যি কাৰ্য

কৰিবলৈ আজ্ঞা দিছিলা, সেইবোৰৰ একোকে তেওঁলোকে নকৰিলে,
আৰু এই কাৰণে তুমি তেওঁলোকৰ ওপৰত এই সকলো দুৰ্যোগ ঘটালা।
২৪ চোৱা! নগৰখন অধিকাৰ কৰিবলৈ উদ্দেশ্যেৰে সৌৱা হাদামবোৰ
ওচৰ পালেহি। কিয়নো তৰোৱাল, আকাল আৰু মহামাৰীৰ কাৰণে
এই নগৰখন তাৰ অহিতে যুদ্ধ কৰা কলদীয়াসকলৰ হাতত সমৰ্পণ
কৰা হৈছে। আৰু তুমি যি ঘটাৰ কথা কৈছিলা সেয়ে ঘটি আছে; আৰু
চোৱা, তুমি তাকেই দেখি আছা। ২৫ আৰু হে প্ৰভু, তুমি এই বুলি
মোক কৈছিলা বোলে, "ৰূপ দি শস্যক্ষেত্ৰ কিনা, আৰু সাক্ষী মাতা,
অথচ এই নগৰখন কলদীয়াসকলৰ হাতত শোধাই দিয়া হৈছে।" ২৬
তেতিয়া যিৰিমিয়াৰ ওচৰলৈ যিহোৱাৰ এই বাক্য আহিল বোলে, ২৭
"চোৱা! ময়েই যিহোৱা, সকলো মৰ্ত্ত্যৰেই ঈশ্বৰ। মোৰ অসাধ্য জানো
কিবা আছে নে?" ২৮ এই কাৰণে যিহোৱাই এই কথা কৈছে: "চোৱা,
মই কলদীয়াসকলক আৰু বাবিলৰ ৰজা নবূখদনেচৰৰ হাতত এই
নগৰখন সৰ্ম্পণ কৰিম। তেতিয়া তেওঁ তাক হাত কৰি ল'ব। ২৯ আৰু
এই নগৰখনৰ বিৰুদ্ধে যি কলদীয়াসকলে যুদ্ধ কৰিছে, তেওঁলোকে
আহি এই নগৰত জুই লগাই দিব, আৰু মোক উত্তেজিত কৰাৰ কাৰণে
যি ঘৰবোৰৰ চালত লোকসকলে বালৰ উদ্দেশ্যে ধূপ উৎসৰ্গ কৰিছিল
আৰু আন দেৱতাৰ উদ্দেশ্যে পেয় নৈবেদ্য ঢালিছিল, সেইবোৰ ঘৰে
সৈতে এই সকলোবোৰ পুৰি পেলাব। ৩০ কিয়নো ইস্ৰায়েল আৰু
যিহূদাৰ সন্তান সকলে লৰা কালৰে পৰা মোৰ সাক্ষাতে কেৱল কু-
কৰ্মহে কৰা লোক আছিল; ইস্ৰায়েলৰ সন্তান সকলে নিজ নিজ হাতৰ
কাৰ্যৰে কেৱল মোক বেজাৰহে দিছে" - এয়ে যিহোৱাৰ ঘোষণা। ৩১
"কিয়নো তেওঁলোকে এই নগৰখন সজা দিনৰে পৰা আজিলৈকে, ই
মোৰ পক্ষে কেৱল মোৰ ক্ৰোধ আৰু কোপৰ কাৰণ হে হৈ পৰিছে।
সেই কাৰণে মোৰ আগৰ পৰা মই এই নগৰখন দূৰ কৰি ইয়াৰ পৰা
বিমুখে থাকিম, ৩২ কিয়নো ইস্ৰায়েল আৰু যিহূদাৰ সন্তান সকলে,
মোক বেজাৰ দিবৰ অৰ্থে কৰা তেওঁলোকৰ সকলো দুষ্কৰ্মৰ দ্বাৰাই
মোক উত্তেজিত কৰিলে - তেওঁলোকৰ ৰজাসকল, প্ৰধান লোকসকল,
পুৰোহিতসকল, ভাববাদীসকল আৰু যিহূদাৰ প্ৰত্যেক জন লোক আৰু

যিৰূচালেম-নিবীসীসকল। ৩৩ তেওঁলোকে মোলৈ মুখ নিদি পিঠি
দিলে যদিও মই প্ৰভাতে তেওঁলোকক আগ্ৰহেৰে শিক্ষা দিছিলোঁ। মই
তেওঁলোকক শিক্ষা দিবলৈ প্ৰচেষ্টা কৰিছিলোঁ তথাপি তেওঁলোকৰ
কোনো এজনে মোৰ সৎ শিক্ষা গ্ৰহণ কৰিবলৈ কাণ নিদিলে। ৩৪ কিন্তু
মোৰ নামেৰে প্ৰখ্যাত হোৱা গৃহটি অশুচি কৰিবৰ অৰ্থে তেওঁলোকে
তাৰ ভিতৰত তেওঁলোকৰ ঘৃণনীয় বস্তুবোৰ ৰাখিলে। ৩৫ তাৰ পাছত
তেওঁলোকে হিন্নোমৰ পুত্ৰৰ উপত্যকাত থকা বালৰ পবিত্ৰ ঠাইবোৰ
সাজিলে যাতে তেওঁলোকে মোলকৰ উদ্দেশ্যে নিজ নিজ পো-জীবোৰক
বলি দিব পাৰে যি বিষয়ে সেই ঘিণলগীয়া কাৰ্য কৰিবৰ কাৰণে মই
আজ্ঞা কৰা নাছিলোঁ, আৰু মোৰ মনত উদয়ো হোৱা নাছিল। এইদৰে
কাৰ্য কৰি তেওঁলোকে যিহূদাক পাপ কৰালে। ৩৬ এই কাৰণে এতিয়া,
মই যিহোৱা, ইস্ৰায়েলৰ ঈশ্বৰে এই নগৰৰ বিষয়ে কৈছে, যাৰ বিষয়ে
তোমালোকে কৈছা, 'যি তৰোৱাল, আকাল আৰু মহামাৰীৰ দ্বাৰাই
এই নগৰখন বাবিলৰ ৰজাৰ হাতত শোধাই দিয়া হৈছে: ৩৭ চোৱা,
মই মোৰ ক্ৰোধ, কোপ আৰু মহাৰোগত তেওঁলোকক যি যি দেশলৈ
খেদাই পঠাইছিলোঁ, সেই সকলো দেশৰ পৰাই তেওঁলোকক মই গোট
খুৱাম, আৰু মই পুনৰায় তেওঁলোকক এই ঠাইলৈ আনি নিৰাপদে বাস
কৰাম। ৩৮ তেতিয়া তেওঁলোক মোৰ প্ৰজা হ'ব, আৰু মই তেওঁলোকৰ
ঈশ্বৰ হম। ৩৯ মই তেওঁলোকক এক চিত্ত আৰু এক পথ দিম যাতে
তেওঁলোকে মোক প্ৰতিদিনে সন্মান কৰিবৰ কাৰণে তেওঁলোক আৰু
তেওঁলোকৰ পাছৰ সন্তান সকলৰ মঙ্গল হয়। ৪০ তেওঁলোকৰ মঙ্গল
কৰিবলৈ অৰ্থে, মই যেন তেওঁলোকৰ পৰা নুঘূৰিম, সেই কাৰণে মই
তেওঁলোকৰ সৈতে এনে এক চিৰস্থায়ী নিয়ম স্থাপন কৰিম যাতে
তেওঁলোকৰ মনত মোৰ বিষয়ৰ ভয় স্থাপন কৰিম যাতে তেওঁলোক
মোৰ পাছত চলি মোৰ পৰা কেতিয়াও আঁতৰ নহয়। ৪১ তেতিয়া মই
তেওঁলোকৰ মঙ্গল কৰিবলৈ মই তেওঁলোকত আনন্দ কৰিম, আৰু
নিশ্চয়ে সমস্ত মনেৰে আৰু সমস্ত প্ৰাণেৰে মই তেওঁলোকক এই দেশত
ৰোম।" ৪২ কিয়নো যিহোৱাই এই কথা কৈছে: মই লোকসকললৈ
যেনেকৈ এই সকলো মহা-আপদ ঘটালোঁ, তেনেকৈ মই তেওঁলোকলৈ

প্ৰতিজ্ঞা কৰা সকলো মঙ্গলো ঘটাম। ৪৩ তেতিয়া এই যি দেশৰ
বিষয়ে, 'ই মনুষ্য আৰু পশুশূন্য ধ্বংসস্থান, ইয়াক কলদীয়াসকলৰ
হাতত সমৰ্পণ কৰা হৈছে', এই বুলি তোমালোকে কৈছা, এই দেশৰ
শস্যক্ষেত্ৰ কিনা হ'ব। ৪৪ তেওঁলোকে ধন দি শস্যক্ষেত্ৰ কিনিব,
আৰু দলীলত চহী দি, মোহৰ মাৰি বন্ধ কৰিব। বিন্যামীন প্ৰদেশত,
যিৰূচালেমৰ চাৰিওফালে থকা ঠাইত, আৰু যিহূদাৰ পৰ্ব্বতীয়া অঞ্চলৰ
নিম্ন-ভুমিৰ, আৰু দক্ষিণ অঞ্চলৰ নগৰবোৰত সাক্ষী মাতিব; কিয়নো
মই তেওঁলোকৰ বন্দী-অৱস্থা পৰিবৰ্ত্তন কৰিম" - এয়ে যিহোৱাৰ
ঘোষণা।

৩৩ তাৰ পাছত দ্বিতীয়বাৰ যিৰিমিয়ালৈ যিহোৱাৰ বাক্য আহিল
বোলে, সেই সময়ত তেওঁ প্ৰহৰীৰ চোতালত বন্দী অৱস্থাত আছিল। ২
"এই কাৰ্যৰ কৰ্ত্তা যিহোৱা, যি জনাই ইয়াক সিদ্ধ কৰিবলৈ কল্পনা
কৰে, যিহোৱা নামেৰে প্ৰখ্যাত হোৱা সেই যিহোৱাই এইদৰে কৈছে:
৩ 'তুমি মোৰ আগত প্ৰাৰ্থনা কৰা; তাতে মই তোমাক উত্তৰ দিম,
আৰু তুমি নজনা মহত আৰু অগম্য কথা তোমাক জনাম।' ৪ কিয়নো
হাদামবোৰআৰু তৰোৱালৰ পৰা ৰক্ষাৰ উপায় কৰিবলৈ এই নগৰৰ
আৰু যিহূদাৰ ৰজাসকলৰ যি ঘৰবোৰ ভঙা হৈছে, সেই ঘৰবোৰৰ
বিষয়ে ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাই এই কথা কৈছে: ৫ লোকসকলে
কলদীয়াসকলৰ সৈতে যুদ্ধ কৰিবলৈ আহিছে, কিন্তু যিসকলক মই
মোৰ ক্ৰোধ আৰু মহা-কোপত বধ কৰিলোঁ, আৰু যিসকলৰ সকলো
দুষ্টতাৰ কাৰণে মই এই নগৰৰ পৰা মোৰ মুখ লুকুৱাই ৰাখিলোঁ,
সেইবোৰ মানুহৰ মৰা শৰেৰে এই ঘৰবোৰ পৰিপূৰ্ণ কৰিবলৈহে
আহিছে। ৬ কিন্তু চোৱা, মই নগৰৰ ঘা বান্ধি চিকিৎস্যা কৰিম,
তেওঁলোকক সুস্থ কৰিম আৰু তেওঁলোকলৈ প্ৰচুৰ পৰিমানে কুশল,
শান্তি আৰু সত্যতা আনিম। ৭ কিয়নো মই যিহূদা আৰু ইস্ৰায়েলৰ
বন্দী-অৱস্থা পৰিবৰ্ত্তন কৰিম, আৰু আগৰ দৰে পুনৰায় তেওঁলোকক
স্থাপন কৰিম। ৮ আৰু যি অপৰাধৰ দ্বাৰাই তেওঁলোকে মোৰ অহিতে
পাপ কৰিলে, তেওঁলোকৰ সেই সকলো অপৰাধ মই ধুই পেলাম;
আৰু যি নানা অপৰাধেৰে তেওঁলোকে মোৰ অহিতে পাপ কৰিলে,

আৰু যাৰ দ্বাৰাই তেওঁলোকে অধৰ্ম–আচৰণ কৰিলে, মই তেওঁলোকৰ
সেই সকলো অপৰাধ ক্ষমা কৰিম। ৯ আৰু মই তেওঁলোকলৈ কৰা
সকলো মঙ্গল-কাৰ্য্যৰ কথা পৃথিৱীৰ যি জাতি সমূহে শুনিব, আৰু মই
তেওঁলোকৰ কাৰণে কৰা আটাই মঙ্গল আৰু শান্তিৰ কথা শুনি ভয়ত
কঁপিব, সেই সকলো জাতিৰ আগত এই নগৰ মোৰ পক্ষে আনন্দজনক
নাম, প্ৰশংসা আৰু গৌৰৱৰ বিষয় হ'ব'।" ১০ যিহোৱাই এই কথা
কৈছে: "এই যি ঠাইৰ বিষয়ে তোমালোকে কৈছা, যে, 'ই উচ্ছন্ন। মনুষ্য
আৰু পশুশূন্য, এই ঠাইত মনুষ্য আৰু পশুশূন্য আৰু যিহূদাৰ নগৰ আৰু
যিৰূচালেমৰ আলিবাটবোৰ নিৰ্জন। ১১ আকৌ আনন্দৰ ধ্বনি, উল্লাসৰ
ধ্বনি, দৰা-কন্যা ধ্বনি আৰু "বাহিনীসকলৰ যিহোৱাৰ ধন্যবাদ কৰা,
কিয়নো যিহোৱা মঙ্গলময়, কাৰণ তেওঁৰ দয়া চিৰকাললৈকে থাকে,"
এই বুলি কোৱাসকলৰ ধ্বনি, আৰু যিহোৱাৰ গৃহলৈ ধন্যবাদাৰ্থক বলি
অনাসকলৰ ধ্বনি পুনৰায় শুনা যাব। কিয়নো, মই এই দেশৰ বন্দী-
অৱস্থা পৰিবৰ্ত্তন কৰি আগৰ দৰে কৰিম। কিয়নো যিহোৱাই এই কথা
কৈছে। ১২ বাহিনীসকলৰ যিহোৱাই এই কথা কৈছে: "এই উচ্ছন্ন
ঠাইত মানুহ আৰু পশুশূন্য আৰু ইয়াৰ সকলো নগৰত মেৰ-ছাগৰ
জাকক শয়ন কৰাওঁতা ৰখীয়াসকলৰ বসতিৰ ঠাই পুনৰায় হ'ব। ১৩
পৰ্ব্বতীয়া অঞ্চলত, নিম্ন-ভুমিৰ আৰু দক্ষিণ অঞ্চলৰ নগৰবোৰত,
বিন্যামীন প্ৰদেশত, যিৰূচালেমৰ চাৰিওফালৰ ঠাইবোৰত আৰু যিহূদাৰ
নগৰবোৰত মেৰ-ছাগ গণনাকাৰী লোকৰ হাতৰ তলেদি মেৰ-ছাগৰ
জাকবিলাক পুনৰায় গমন কৰিব। যিহোৱাই এই কথা কৈছে। ১৪
যিহোৱাই কৈছে - "চোৱা, ইস্ৰায়েল-বংশ আৰু যিহূদা-বংশৰ বিষয়ে মই
কোৱা মঙ্গল-বাক্য যি দিনা সিদ্ধ কৰিম, এনে দিনবোৰ আহি আছে।
১৫ সেই দিনা আৰু সেই কালত মই দায়ূদৰ বংশত এটা ধাৰ্মিক গজালি
গজাম, আৰু তেওঁ দেশত বিচাৰ আৰু ন্যায় সিদ্ধ কৰিব। ১৬ সেই দিনা
যিহূদাই পৰিত্ৰাণ পাব, আৰু যিৰূচালেমে নিৰাপদে বাস কৰিব, আৰু
"যিহোৱাই আমাৰ ধাৰ্মিকতা," এই নামেৰে সেই নগৰ প্ৰখ্যাত হব। ১৭
কিয়নো যিহোৱাই এই কথা কৈছে: ইস্ৰায়েল-বংশৰ সিংহাসনৰ ওপৰত
বহিবলৈ দায়ূদ-বংশীয় পুৰুষৰ কেতিয়াও অভাৱ নহ'ব; ১৮ আৰু

মোৰ আগত হোম-বলি উৎসৰ্গ কৰিবলৈ, নৈবেদ্য দগ্ধ কৰিবলৈ, আৰু
নিত্যে নিত্যে মঙ্গলাৰ্থক বলিদান কৰিবলৈ লেবীয়া পুৰোহিতসকলৰ
মাজৰ কোনো পুৰুষৰ অভাৱ নহ'ব। ১৯ পাছত যিৰিমিয়াৰ ওচৰলৈ
যিহোৱাৰ বাক্য আহিল, আৰু ক'লে, ২০ যিহোৱাই এই কথা কৈছে:
দিন আৰু ৰাতিৰ মোৰ নিয়ম যদি তোমালোকে এনেকৈ ভাঙিব পাৰা,
যে, নিজ নিজ সময়ত দিন কি ৰাতি নহ'ব, ২১ তেন্তে মোৰ দাস
দায়ূদে সৈতে কৰা মোৰ নিয়মটিও এনেকৈ ভাঙিব পৰা যাব, যে,
তেওঁৰ সিংহাসনত বহি ৰাজশাসন কৰিবলৈ তেওঁৰ এটি সন্তানো
নহ'ব; আৰু মোৰ পৰিচাৰক লেবীয়া পুৰোহিতসকলৰ সৈতে কৰা মোৰ
নিয়মটিও ভাঙিব পৰা যাব। ২২ সৰগৰ বাহিনীসকলক যেনেকৈ গণিব
নোৱাৰি, আৰু সমুদ্ৰৰ বালি যেনেকৈ জুখিব নোৱাৰি, সেইদৰে মই
মোৰ দাস দায়ূদৰ বংশৰ আৰু মোৰ পৰিচৰ্যা কৰোঁতা লেবীয়াসকলক
বৃদ্ধি কৰিম।" ২৩ পুনৰায় যিৰিমিয়াৰ ওচৰলৈ যিহোৱাৰ বাক্য আহিল,
বোলে, ২৪ "এই জাতিয়ে যি কৈছে, সেই বিষয়ে জানো তুমি ভু পোৱা
নাই যেতিয়া তেওঁলোকে কৈছে, 'যিহোৱাই নিজৰ মনোনীত এই দুই
গোষ্ঠীক অগ্ৰাহ্য কৰিছে'; তেওঁলোকে নিজৰ আগত মোৰ প্ৰজাসকলক
এক জাতি বুলি আৰু গণনা নকৰি এইদৰে হেয়জ্ঞান কৰে।' ২৫ মই
যিহোৱাই এই কথা কৈছোঁ: দিন আৰু ৰাতি মোৰ নিয়ম যদি নৰয়,
আৰু যদি মই স্বৰ্গ আৰু পৃথিৱীৰ নিয়মবোৰ নিৰূপণ নকৰাকৈ থকোঁ,
২৬ তেতিয়া মই যাকোবৰ আৰু মোৰ দাস দায়ূদৰ বংশকো অগ্ৰাহ্য
কৰি অব্ৰাহাম, ইচহাক আৰু যাকোবৰ বংশৰ ওপৰত শাসন কৰিবলৈ
তেওঁৰ বংশৰ এজনকো নলম; কিয়নো মই তেওঁলোকৰ বন্দী-অৱস্থা
পৰিবৰ্ত্তন কৰিম, আৰু তেওঁলোকৰ প্ৰতি দয়া কৰিম।

৩৪ বাবিলৰ ৰজা নবূখদনেচৰ, তেওঁৰ সৈন্য-সামন্ত আৰু তেওঁৰ
অধীনে থকা পৃথিৱীৰ সকলো ৰাজ্যবোৰ, আৰু সকলো জাতি সমূহে
যিৰূচালেম আৰু তাৰ সকলো নগৰৰ বিৰুদ্ধে যুদ্ধ কৰা সময়ত,
যিৰিমিয়াৰ ওচৰলৈ যিহোৱাৰ পৰা এই বাক্য আহিল, বোলে, ২
"ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাই এই কথা কৈছে: 'তুমি যোৱা, আৰু যিহূদাৰ
ৰজা চিদিকিয়াৰ লগত কথা হৈ তেওঁক কোৱা, "যিহোৱাই এইদৰে

কৈছে: চোৱা, মই বাবিলৰ ৰজাৰ হাতত এই নগৰখন সমৰ্পণ কৰিম,
আৰু তেওঁ এই নগৰখন জুইৰে দগ্ধ কৰিব; ৩ আৰু তুমি তেওঁৰ হাতৰ
পৰা ৰক্ষা নাপাবা, কিন্তু নিশ্চয়ে ধৰা পৰি তেওঁৰ হাতত সমৰ্পিত
হ'বা; তুমি যেতিয়া বাবিললৈ যাবা তেতিয়া তোমাৰ চকুৱে বাবিলৰ
ৰজাৰ চকুৱে চকুৱে দেখিব, আৰু তেওঁ সন্মুখা-সন্মুখী হৈ তোমাৰ
লগত কথা হ'ব।' ৪ হে যিহূদাৰ ৰজা চিদিকিয়া, তুমি যিহোৱাৰ বাক্য
শুনা! যিহোৱাই তোমাৰ বিষয়ে এইদৰে কৈছে: 'তুমি তৰোৱালৰ
দ্বাৰাই নমৰিবা; ৫ তুমি শান্তিৰে মৰিবা। তোমাৰ আগেয়ে হোৱা
তোমাৰ পূৰ্বপুৰুষ ৰজাসকলৰ কাৰণে লোকসকলে যেনেকৈ সুগন্ধি
দ্ৰব্য জ্বলাইছিল, তেনেকৈ তোমাৰ বাবেও জ্বলাব, আৰু তেওঁলোকে
"হায় প্ৰভু" এই বুলি কৈ তোমাৰ কাৰণে বিলাপ কৰিব; কিয়নো
এতিয়া মই এই কথা কলোঁ। এয়ে যিহোৱাৰ ঘোষণা'।" ৬ তেতিয়া
যিৰিমিয়া ভাববাদীয়ে যিৰূচালেমত যিহূদাৰ ৰজা চিদিকিয়াক সেই
সকলো কথাবোৰ ক'লে। ৭ সেই কালত বাবিলৰ ৰজাৰ সৈন্যসামন্তই
যিৰূচালেম আৰু যিহূদাৰ অৱশিষ্ট আটাই নগৰৰ বিৰুদ্ধে, লাখীচ আৰু
অজেকাৰ অহিতে যুদ্ধ কৰিছিল; কিয়নো যিহূদাৰ নগৰবোৰৰ মাজত
কেৱল এই দুখনহে গড়েৰে আবৃত নগৰ অৱশিষ্ট আছিল। ৮ বন্দী-
বেটীৰ আগত মুক্তি ঘোষণা কৰিবলৈ, চিদিকিয়া ৰজাই যিৰূচালেমত
থকা আটাই প্ৰজাৰে সৈতে এটি নিয়ম স্থাপন কৰাৰ পাছত, যিহোৱাৰ
পৰা যিৰিমিয়ালৈ এই বাক্য আহিল - ৯ সেই নিয়মটি এই, যে,
প্ৰত্যেক মানুহে নিজ ইব্ৰী বন্দী বা বেটিক মুকলি কৰি দিব, অৰ্থাৎ
কোনো এজন যিহুদী লগৰীয়াক আৰু কেতিয়াও বন্দী-কাম নকৰাব।
১০ তেতিয়া সকলো প্ৰধান লোক আৰু আটাই প্ৰজা এই নিয়মটিত
মান্তি হ'ল। প্ৰত্যেকে নিজৰ বন্দীক আৰু নিজৰ বেটীক মুকলি কৰি
দিব আৰু কোনেও যেন তেওঁলোকক আৰু কেতিয়াও বন্দী-কাম
নকৰাব। লোকসকলে এই নিয়মটিত মান্তি হৈ তেওঁলোকক এৰি দিলে।
১১ কিন্তু পাছত তেওঁলোকে মন ঘূৰালে, আৰু তেওঁলোকে মুকলি
কৰি দিয়া বন্দী-বেটীসকলক ঘূৰাই আনিলে আৰু নিজৰ বন্দী-বেটী
কৰিবলৈ তেওঁলোকক বশীভুত কৰিলে। ১২ এই কাৰণে যিহোৱাৰ

পৰা যিৰিমিয়াৰ ওচৰলৈ এই বাক্য আহিল বোলে, ১৩ “ইস্ৰায়েলৰ
ঈশ্বৰ যিহোৱাই এই কথা কৈছে: বন্দীঘৰস্বৰূপ মিচৰ দেশৰ পৰা
তোমালোকৰ পূৰ্বপুৰুষসকলক উলিয়াই অনা দিনা ময়েই তেওঁলোকৰ
লগত নিয়ম এটি স্থিৰ কৰিছিলোঁ। তেতিয়া মই কৈছিলোঁ যে, ১৪
‘তোমালোক প্ৰতিজনে নিজ নিজ ইব্ৰী ভাইক সপ্তম বছৰৰ মূৰত এৰি
দিবা, যি জন তোমাৰ হাতত বেচা হ’ল, আৰু তোমাৰ অধীনত ছবছৰ
সেৱা কৰিলে, তুমি তাক মুকলি কৰি তোমাৰ ওচৰৰ পৰা বিদাই
দিবা।’ কিন্তু তোমালোকৰ পূৰ্বপুৰুষসকলে মোৰ কথা নামানিলে, আৰু
কাণো নাপাতিলে। ১৫ সম্প্ৰতি তোমালোকে মন ঘূৰাই প্ৰতিজনে নিজ
নিজ ওচৰ-চুবুৰীয়াৰ আগত মুক্তি ঘোষণা কৰি, মোৰ দৃষ্টিত যি ন্যায়,
তাকে কৰিছিলা, আৰু মোৰ নামেৰে প্ৰখ্যাত গৃহত মোৰ আগত এটি
নিয়ম স্থাপন কৰিছিলা। ১৬ কিন্তু তোমালোকে আকৌ মন ঘূৰাই মোৰ
নাম অপবিত্ৰ কৰিলা, আৰু যি বন্দী-বেটীসকলক নিজ ইচ্ছামতে যাবলৈ
এৰি দিছিলা, তোমালোক প্ৰতিজনে নিজ নিজ সেই বন্দী-বেটীক
ওলোটাই আনি তেওঁলোকক আকৌ বন্দী-বেটী কৰিবলৈ বশীভুত
কৰিলা।” ১৭ এই কাৰণে যিহোৱাই এই কথা কৈছে: “তোমালোক
প্ৰতিজনে নিজ নিজ ভাইৰ আগত, প্ৰতিজনে নিজ নিজ ওচৰ-চুবুৰীয়াৰ
আগত মুক্তি ঘোষণা কৰিবলৈ মোলৈ কাণ নিদিলা; গতিকে চোৱা, মই
এতিয়া তোমালোকৰ মুক্তি ঘোষণা কৰিম” - যিহোৱাৰ ঘোষণা এই,
মইও তৰোৱাল, মহামাৰী, আৰু আকাললৈ তোমালোকৰ আগত মুক্তি
ঘোষণা কৰিছোঁ, আৰু পৃথিৱীৰ সকলো ৰাজ্যৰ মাজত তোমালোকক
ত্ৰাসৰ বিষয় কৰিম। ১৮ তাৰ পাছত যি লোকসকলে মোৰ নিয়মটি
ভাঙিলে আৰু মোৰ আগত বন্ধা নিয়মটিৰ বাক্য পালন নকৰিলে,
তেওঁলোকক মই তেওঁলোকে যিদৰে দামুৰিটোক দুডোখৰ কৰি তাৰ
অংশৰ মাজেদি গমন কৰিছিল, তেওঁলোককো মই তেনে কৰিম।
১৯ তেতিয়া দামুৰিৰ অংশৰ মাজেদি যিহূদা আৰু যিৰূচালেমৰ প্ৰধান
লোক, নপুংসক, পুৰোহিতসকল আৰু দেশৰ সকলো প্ৰজাই গমন
কৰিলে। ২০ মই তেওঁলোকক তেওঁলোকৰ শত্ৰুবোৰ আৰু তেওঁলোকৰ
প্ৰাণ ল’বলৈ বিচাৰি ফুৰাবোৰৰ হাতত সমৰ্পণ কৰিম। তেওঁলোকৰ

মৰা শৱ আকাশৰ চৰাইবোৰৰ আৰু পৃথিৱীৰ জন্তুবোৰৰ আহাৰ হ'ব।
২১ সেই কাৰণে মই যিহূদাৰ ৰজা চিদিকিয়াক আৰু তেওঁৰ প্ৰধান
লোকসকলক তেওঁলোকৰ শত্ৰূবোৰৰ হাতত, আৰু তেওঁলোকৰ প্ৰাণ
ল'বলৈ বিচাৰি ফুৰাবোৰৰ হাতত, আৰু তোমালোকৰ বিৰুদ্ধে উঠি
যোৱা বাবিলৰ ৰজাৰ সৈন্যসামন্তৰ হাতত সমৰ্পণ কৰিম। ২২ চোৱা,
মই তোমালোকক এটা আজ্ঞা কৰিম" - এয়ে যিহোৱাৰ ঘোষণা -
মই তেওঁলোকক পুনৰায় এই নগৰৰ অহিতে যুদ্ধ কৰি, ইয়াক হাত
কৰি লৈ, জুই দি পুৰিবলৈ, তেওঁলোকক এই নগৰলৈ ঘূৰাই আনিম।
কিয়নো মই যিহূদাৰ নগৰবোৰ নিবাসী-শূন্য ধ্বংসস্থান কৰিম।

**৩৫** যোচিয়াৰ পুত্ৰ যিহূদাৰ ৰজা যিহোয়াকীমৰ ৰাজত্বৰ সময়ত
যিহোৱাৰ পৰা যিৰিমিয়াৰ ওচৰলৈ এই বাক্য আহিল, বোলে, ২
"তুমি ৰেখব-বংশীয় লোকসকলৰ ওচৰলৈ যোৱা, আৰু তেওঁলোকৰ
লগত কথা বতৰা কৰা। তাৰ পাছত তেওঁলোকক যিহোৱাৰ গৃহৰ
কোনো এটা কোঁঠালিলৈ আনি, পান কৰিবলৈ দ্ৰাক্ষাৰস দিয়া।" ৩
তেতিয়া মই হবচিনিয়াৰ নাতিয়েক যিৰিমিয়াৰ পুত্ৰ যাজনিয়া, তেওঁৰ
ককায়েক-ভায়েকসকলক, তেওঁৰ পুত্ৰসকলক আৰু ৰেখবীয়াৰ গোটেই
বংশক লগত লৈ গ'লো। ৪ মই তেওঁলোকক যিহোৱাৰ গৃহলৈ, ঈশ্বৰৰ
লোক যিগ্দলিয়াৰ পুত্ৰ হাননৰ পুত্ৰসকলৰ কোঁঠালিলৈ নিলোঁ। সেই
কোঁঠালি চল্লুমৰ পুত্ৰ মাচেয়া নামেৰে দুৱৰীৰ কোঁঠালিৰ ওপৰত
প্ৰধান লোকসকলৰ কোঁঠালিৰ কাষত আছিল। ৫ তাৰ পাছত মই
ৰেখব-বংশৰ লোকসকলৰ সন্মুখত দ্ৰাক্ষাৰসেৰে ভৰা কলহ আৰু
বাতি আগত ৰাখি তেওঁলোকক ক'লোঁ, "তোমালোকে কিছু দ্ৰাক্ষাৰস
পান কৰা।" ৬ কিন্তু তেওঁলোকে ক'লে, "আমি একো দ্ৰাক্ষাৰস পান
নকৰোঁ, কিয়নো আমাৰ পূৰ্বপুৰুষ ৰেখবৰ পুত্ৰ যোনাদবে আমাক
এই আজ্ঞা দিছিল, 'তোমালোকে আৰু তোমালোকৰ সন্তান সকলে
কোনেও চিৰকালৈকে দ্ৰাক্ষাৰস পান নকৰিবা। ৭ আৰু কোনো ঘৰ
নাসাজিবা, গুটি নিসিচিবা, দ্ৰাক্ষাবাৰী নাপাতিবা আৰু এইবোৰৰ
একোৰো অধিকাৰি নহ'বা; কিয়নো তোমালোকে প্ৰবাস কৰা দেশত
বহু দিন থাকিবৰ কাৰণে, তোমালোকৰ সকলো কালত তম্বুত বাস

কৰিবা।’ ৮ আমি আমাৰ পত্নী, লৰা আৰু ছোৱালী সকলোৱে আমাৰ
গোটেই জীৱনৰ কালত দ্ৰাক্ষাৰস পান নকৰিবলৈ, আৰু আমাৰ
পুৰ্ব্ব–পুৰুষ ৰেখবৰ পুত্ৰ যোনাদবে দিয়া সকলো আজ্ঞাবোৰ পালন
কৰিছোঁ। ৯ আমি নিবাসৰ অৰ্থে ঘৰ কেতিয়াও নাসাজিম, আৰু আমাৰ
দ্ৰাক্ষাবাৰী, শস্যক্ষেত্ৰ আৰু কঠীয়াত আমাৰ কোনো অধিকাৰ নাই।
১০ কিন্তু আমি তম্বুত থাকি, আমাৰ পূৰ্বপুৰুষ যোনাদবে দিয়া আজ্ঞা
মানি, সেই অনুসাৰে সকলো কাম কৰি আহিছোঁ। ১১ কিন্তু যেতিয়া
বাবিলৰ ৰজা নবূখদনেচৰ এই দেশ আক্ৰমণ কৰিছিল, তেতিয়া আমি
ক’লোঁ, ‘আহাঁ, আমি কলদীয়া আৰু অৰামীয়াসকলৰ সৈন্যসামন্তৰ পৰা
হাৰি যিৰূচালেমলৈ যাওহঁক।’ এই কাৰণে আমি যিৰূচালেমত বাস
কৰিছোঁ।” ১২ পাছত যিৰিমিয়াৰ ওচৰলৈ যিহোৱাৰ বাক্য আহিল,
বোলে, ১৩ “বাহিনীসকলৰ যিহোৱাই, ইস্ৰায়েলৰ ঈশ্বৰে এই কথা
কৈছে: তুমি গৈ যিহূদাৰ লোকসকলক আৰু যিৰূচালেম-নিবাসীসকলক
কোৱা, যিহোৱাই কৈছে, ‘তোমালোকে মোৰ বাক্যলৈ কাণ দিবলৈ
উপদেশ গ্ৰহণ নকৰিবা নে?’ ১৪ ৰেখবৰ পুত্ৰ যোনাদবে দ্ৰাক্ষাৰস
পান নকৰিবলৈ তেওঁৰ সন্তান সকলক যি বাক্যৰে আজ্ঞা কৰিছিল,
তেওঁৰ সেই বাক্য আজিলৈকে সিদ্ধ আছে। তেওঁলোকে তেওঁলোকৰ
পূৰ্বপুৰুষৰ আজ্ঞা মানে; কিন্তু মই অতি প্ৰভাতে উঠি তোমালোকক
কৈ আছোঁ, তথাপি তোমালোকে মোৰ বাক্য নামানা। ১৫ মই মোৰ
সকলো দাস, ভাববাদীসকলক তোমালোকৰ ওচৰলৈ পঠিয়াইছিলোঁ
আৰু প্ৰভাতে উঠি তেওঁলোকক পঠিয়াই তোমালোকক কোৱাইছিলোঁ,
“তোমালোকে এতিয়া নিজ নিজ কু-পথৰ পৰা ঘূৰি নিজ নিজ আচাৰ-
ব্যৱহাৰ শুদ্ধ কৰা। আন আন দেৱতাবোৰক সেৱাপূজা কৰিবৰ অৰ্থে
সেইবোৰৰ পাছত যাওঁতা নহ’বা। তাৰ পৰিবৰ্তে মই তোমালোকক
আৰু তোমালোকৰ পূৰ্বপুৰুষসকলক দিয়া দেশলৈ তোমালোকে ঘূৰি
আহা। তথাপিও তোমালোকে মোৰ কথালৈ কাণ দিয়া নাই আৰু
মোৰ বাক্যলৈ মনকো দিয়া নাই।” ১৬ ৰেখবৰ পুত্ৰ যোনাদবৰ সন্তান
সকলে তেওঁলোকক দিয়া তেওঁলোকৰ পুৰ্ব্ব–পুৰুষৰ আজ্ঞা পালন
কৰি আহিছে, কিন্তু এই জাতিৰ লোকসকলে মোৰ কথালৈ কাণ

দিবলৈ অস্বীকাৰ কৰিছে।’ ১৭ এই কাৰণে বাহিনীসকলৰ ঈশ্বৰ
আৰু ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাই, এই কথা কৈছে: ‘চোৱা, যিহূদা
আৰু যিৰূচালেম-নিবাসীসকলৰ অহিতে মই কোৱা সকলো অমঙ্গলৰ
কথা তেওঁলোকলৈ ঘটাম, কিয়নো মই তেওঁলোকক যি ঘোষণা
কৰিছিলোঁ, সেই বিষয়ে তেওঁলোকে নুশুনিলে। মই তেওঁলোকক
মাতিলো কিন্তু তেওঁলোকে উত্তৰ নিদিলে’।” ১৮ যিৰিমিয়াই ৰেখবীয়া
বংশক ক’লে, “ইস্ৰায়েলৰ ঈশ্বৰ, বাহিনীসকলৰ যিহোৱাই এই কথা
কৈছে: তোমালোকে তোমালোকৰ পূৰ্বপুৰুষ যোনাদবৰ আজ্ঞালৈ
মনোযোগ কৰি তেওঁৰ সকলো আদেশ পালন কৰিছা, আৰু তেওঁ
তোমালোকক দিয়া আটাই আজ্ঞা অনুসাৰে কাৰ্য কৰিছা; ১৯ এই
কাৰণে বাহিনীসকলৰ যিহোৱা আৰু ইস্ৰায়েলৰ ঈশ্বৰে এই কথা কৈছে:
মোক সেৱা কৰিবৰ কাৰণে ৰেখবৰ পুত্ৰ যোনাদবৰ বংশৰ পৰা
কেতিয়াও কোনো এজন লোকৰ অভাৱ নহ’ব’।”

৩৬ যোচিয়াৰ পুত্ৰ যিহূদাৰ ৰজা যিহোয়াকীমৰ ৰাজত্বৰ চতুৰ্থ বছৰত
যিহোৱাৰ পৰা যিৰিমিয়ালৈ এই বাক্য আহিল, বোলে, ২ “তুমি এখন
নুৰিওৱা পুথি লোৱা; আৰু মই তোমাক প্ৰথমে কোৱা দিনৰে পৰা,
যোচিয়াৰ ৰাজত্বৰ কালৰে পৰা আজিলৈকে, ইস্ৰায়েলৰ, যিহূদাৰ,
আৰু সকলো জাতিৰ বিৰুদ্ধে যি যি কথা মই তোমাৰ আগত কৈ
আছোঁ, সেই সকলো কথা সেই পুথিত লিখা। ৩ যিহূদা বংশলৈ মই যি
অমঙ্গল ঘটাবলৈ কল্পনা কৰিছোঁ, কিজানি নিজ নিজ কুপথৰ পৰা
ঘূৰিবলৈ তেওঁলোকে সেই সকলো অমঙ্গলৰ কথা শুনিব; তেতিয়া মই
তেওঁলোকৰ অপৰাধ আৰু পাপ ক্ষমা কৰিম।” ৪ তেতিয়া যিৰিমিয়াই
নেৰিয়াৰ পুত্ৰ বাৰুকক মাতি আনিলত, যিৰিমিয়াক কোৱা যিহোৱাৰ
সকলো বাক্য বাৰূকে তেওঁৰ মুখৰ পৰা সেই নুৰিওৱা পুথিখনত
লিখিলে। ৫ পাছে যিৰিমিয়াই বাৰুকক আজ্ঞা দি কলে, মই বন্ধ আছোঁ,
যিহোৱাৰ গৃহলৈ যাব নোৱাৰোঁ। ৬ এই হেতুকে তুমি গৈ যিহোৱাৰ
গৃহত উপবাসৰ দিনা, মোৰ মুখৰ পৰা পুথিখনত লিখা যিহোৱাৰ
বাক্যবোৰ তেওঁৰ গৃহত থকা লোকসকলে আৰু বিভিন্ন নগৰৰ পৰা
অহা যিহূদাৰ সকলো লোকে শুনাকৈ পাঠ কৰা। ৭ কিজানি তেওঁলোকে

নিজ নিজ নিবেদন যিহোৱাৰ আগত জনাব। আৰু তেওঁলোক প্ৰতিজনে
নিজ নিজ কুপথৰ পৰা ঘূৰিব; কিয়নো এই জাতিৰ বিৰুদ্ধে প্ৰকাশ
কৰা যিহোৱাৰ ক্ৰোধ আৰু কোপ অতি প্ৰবল। ৮ পাছে পুথিখনত
লিখা যিহোৱাৰ বাক্যবোৰ নেৰিয়াৰ পুত্ৰ বাৰুকে যিহোৱাৰ গৃহত
পাঠ কৰি যিৰিমিয়া ভাববাদীৰ আজ্ঞা পালন কৰিলে। ৯ যোচিয়াৰ
পুত্ৰ যিহূদাৰ ৰজা যিহোয়াকীমৰ ৰাজত্ব কালৰ পঞ্চম বছৰৰ নৱম
মাহত যিৰূচালেমত থকা লোকসকলে, আৰু যিহূদাৰ নগৰবোৰৰ পৰা
যিৰূচালেমলৈ অহা প্ৰজাসকলে যিহোৱাৰ উদ্দেশ্যে উপবাস ঘোষণা
কৰিলে। ১০ তেতিয়া বাৰুকে যিহোৱাৰ গৃহত, চাফনৰ পুত্ৰ গমৰিয়া
লিখকৰ কোঁঠালিত, যিহোৱাৰ গৃহৰ নতুন দুৱাৰৰ সোমোৱা ঠাইত,
ওপৰ চোতালত, সেই পুথিখনত লিখা যিৰিমিয়াৰ বাক্যবোৰ সকলো
লোকে শুনাকৈ পাঠ কৰিলে। ১১ আৰু চাফনৰ নাতিয়েক গমৰিয়াৰ পুত্ৰ
মীখায়াই সেই পুথিখনৰ পৰা যিহোৱাৰ সকলো বাক্য শুনিলে। ১২
তেওঁ ৰাজ-গৃহলৈ লিখকৰ কোঁঠালিলৈ নামি গ'ল; চোৱা, সেই সময়ত
সকলো প্ৰধান লোক, অৰ্থাৎ ইলীচামা লিখক, চমৰিয়াৰ পুত্ৰ দলায়া,
অকবোৰৰ পুত্ৰ ইলনাথন, চাফনৰ পুত্ৰ গমৰিয়া, আৰু হননিয়াৰ পুত্ৰ
চিদিকিয়া আদি সকলো প্ৰধান লোক তাত বহি আছিল। ১৩ তেতিয়া
লোকসকলে শুনিবলৈ বাৰুকে পুথিখন পাঠ কৰা সময়ত মীখায়াই যি
সকলো বাক্য শুনিছিল, তেওঁ তাক তেওঁলোকৰ আগত প্ৰকাশ কৰিলে।
১৪ এই হেতুকে সকলো প্ৰধান লোকে কুচীৰ প্ৰপৌত্ৰ চেলেমিয়াৰ
নাতিয়েক নথনিয়াৰ পুত্ৰ যিহূদীক বাৰুকৰ ওচৰলৈ এই কথা কৈ
পঠিয়ালে, "লোকসকলে শুনাকৈ তুমি পাঠ কৰা নুৰিওৱা পুথিখন
তুমি হাতত লৈ আহাঁ।" ১৫ তেওঁলোকে তেওঁক ক'লে, "এতিয়া বহি
আমি শুনাকৈ পাঠ কৰা; তেতিয়া বাৰুক তেওঁলোকে শুনাকৈ পাঠ
কৰিলে।" ১৬ তেতিয়া সেই সকলো কথা শুনি তেওঁলোক আটাইৰে
ভয় লাগি ইজনে সিজনলৈ চোৱা-চোই কৰি বাৰুকক ক'লে, "আমি
এই সকলো কথাৰ বিষয়ে অৱশ্যে ৰজাক জনাব লাগিব।" ১৭ পাছে
তেওঁলোকে বাৰুকক সুধিলে, "কোৱাচোন, তুমি কেনেকৈ তেওঁৰ
মুখৰ পৰা এইবোৰ কথা লিখিছিলা? ১৮ তেতিয়া বাৰুকে উত্তৰ

দি ক'লে, "তেওঁ মুখেৰে মোৰ আগত এই সকলো বাক্য উচ্ছাৰণ
কৰিছিল, আৰু মই চিয়াঁহীৰে এই পুথিত এই সকলো লিখিছিলোঁ। ১৯
তেতিয়া প্ৰধান লোকসকলে বাৰুকক ক'লে, "তুমি আৰু যিৰিমিয়া গৈ,
তোমালোকৰ থকা ঠাই কোনেও নজনাকৈ লোকাই থাকাগৈ।" ২০
তেতিয়া তেওঁলোকে ইলীচামা লিখকৰ কোঁঠালিত পুথিখন থৈ ৰজাৰ
ওচৰলৈ অৰ্থাৎ চোতাললৈ সোমাই গ'ল, আৰু ৰজাই শুনাকৈ সেই
সকলো বাক্য প্ৰকাশ কৰিলে। ২১ তেতিয়া ৰজাই পুথিখন আনিবলৈ
যিহূদীক পঠিয়ালে, যিহূদীয়ে ইলীচামা লিখকৰ কোঁঠালিৰ পৰা তাক
আনিলে। আৰু ৰজাই শুনাকৈ, আৰু তেওঁৰ ওচৰত থিয় হৈ থকা সকলো
প্ৰধান লোকে শুনাকৈ যিহূদীয়ে তাক পাঠ কৰিলে। ২২ সেই সময়ত
ৰজাই নৰম মাহত জাৰকালিত থকা ঘৰত বহি আছিল, আৰু তেওঁৰ
আগত টিফাইত জুই জ্বলি আছিল। ২৩ পাছত যিহূদীয়ে পৃষ্ঠাৰ তিনি
চাৰি অংশ পাঠ কৰাৰ পাছত ৰজাই লিখকৰ কলম কটা কটাৰীৰে তাক
কাটি টিফাইৰ জুইত পেলায়; এইদৰে গোটেই পুথিখন টিফাইৰ জুইত
নষ্ট নোহোৱালৈকে তেওঁ কাটি কাটি পেলাই আছিল। ২৪ সেই সকলো
বাক্য শুনিও ৰজা আৰু মন্ত্ৰী কোনেও ভয় নকৰিলে, বা নিজ নিজ বস্ত্ৰ
নাফালিলে। ২৫ ইলনাথন, দলায়া, আৰু গমৰিয়াই পুথিখন নুপুৰিবলৈ
ৰজাক বিনয় কৰিলে; তথাপি তেওঁ তেওঁলোকৰ কথা নুশুনিলে।
২৬ পাছত ৰজাই যিৰহমেল কোঁৱৰক, অজ্ৰীয়েলৰ পুত্ৰ চৰায়াক,
অব্দয়েলৰ পুত্ৰ চেলেমীয়াক, বাৰুক লিখক আৰু যিৰিমিয়া ভাববাদীক
ধৰিবলৈ আজ্ঞা কৰিলে; কিন্তু যিহোৱাই তেওঁলোকক লুকুৱাই থৈছিল।
২৭ তেতিয়া ৰজাই, যিৰিমিয়াৰ মুখৰ পৰা শুনি শুনি বাৰুকে লিখা
বাক্যবোৰে সৈতে পুথিখন পুৰি পেলোৱাৰ পাছত যিহোৱাৰ এই বাক্য
যিৰিমিয়ালৈ আহিল, বোলে, ২৮ "তুমি পুনৰায় আৰু এখন নুৰিওৱা
পুথিৰ বিষয়ে কোৱা, আৰু যিহূদাৰ ৰজা যিহোয়াকীমে পুৰি পেলোৱা
সেই প্ৰথম পুথিত আগেয়ে যি যি লিখা আছিল, সেই সকলো তাত
লিখা। ২৯ তেতিয়া যিহূদাৰ ৰজা যিহোয়াকীমৰ বিষয়ে নিশ্চয়ে তুমি
ক'বা, 'যিহোৱাই এই কথা কৈছে, যে, বাবিলৰ ৰজাই অৱশ্যে আহি
এই দেশ নষ্ট কৰিব, আৰু ইয়াত পশু আৰু মানুহ নোহোৱা কৰিব, এনে

কথা এই পুথিখনত কিয় লিখিছা? এই বুলি তুমি তাক পুৰি পেলালা!’
৩০ এই হেতুকে যিহূদাৰ ৰজা যিহোয়াকীমৰ বিষয়ে যিহোৱাই এই
কথা কৈছে, যে, যিহূদাৰ সিংহাসনত বহিবলৈ তেওঁৰ বংশৰ কোনো
নাথাকিব, আৰু তেওঁৰ শৱ দিনত ৰ’দত আৰু ৰাতি হিমত পৰি থাকিব।
৩১ আৰু মই তোমাক, “তোমাৰ বংশক, আৰু তোমাৰ মন্ত্ৰীসকলক
তোমালোকৰ অপৰাধৰ কাৰণে দণ্ড দিম। আৰু তোমালোকৰ অহিতে,
যিৰূচালেম-নিবাসীসকল আৰু যিহূদী লোকসকলৰ অহিতে যি অমঙ্গলৰ
কথা ক’লোঁ, কিন্তু তোমালোকে নুশুনিলা, সেই সকলো অমঙ্গল মই
তোমালোকলৈ ঘটাম।” ৩২ তেতিয়া যিৰিমিয়াই আৰু এখন নুৰিওৱা
পুথি লৈ নেৰিয়াৰ পুত্ৰ বাৰুক লিখকক দিলে। বাৰুকে যিহূদাৰ ৰজা
যিহোয়াকীমে, যিৰিমিয়াৰ মুখৰ পৰা ওলোৱা সকলো বাক্য জুইত
পুৰি পেলোৱা পুথিখনৰ সকলো বাক্য তাত লিখিলে। তাৰ বাহিৰে
তেনেকুৱা আৰু অনেক কথাও তাত যোগ দিয়া হ’ল।

**৩৭** বাবিলৰ ৰজা নবূখদনেচৰে যিহূদা দেশৰ ওপৰত পতা ৰজা
যোচিয়াৰ পুত্ৰ চিদিকিয়া যিহোয়াকীমৰ পুত্ৰ কনিয়াৰ সলনি ৰজা
হ’ল। ২ কিন্তু তেওঁ, তেওঁৰ মন্ত্ৰীসকল আৰু দেশীয় লোকসকলে
যিৰিমিয়া ভাববাদীৰ দ্বাৰাই কোৱা যিহোৱাৰ বাক্যলৈ কাণ নিদিলে। ৩
গতিকে চিদিকিয়া ৰজাই চেলেমিয়াৰ পুত্ৰ যিহূখলক আৰু মাচেয়াৰ
পুত্ৰ চফনিয়া পুৰোহিতক যিৰিমিয়া ভাববাদীৰ ওচৰলৈ পঠিয়াই দি
ক’লে, “তুমি অনুগ্ৰহ কৰি আমাৰ ঈশ্বৰ যিহোৱাৰ আগত আমাৰ বাবে
প্ৰাৰ্থনা কৰা।” ৪ সেই সময়ত যিৰিমিয়াই তেওঁলোকৰ মাজত অহা-
যোৱা কৰিছিল, কিয়নো সেই সময়ত তেওঁক বন্দীশালত থোৱা হোৱা
নাছিল। ৫ পাছত ফৰৌণৰ সৈন্য-সামন্ত মিচৰৰ পৰা ওলাল আৰু
যিৰূচালেম-অৱৰোধকাৰী কলদীয়াসকলে তাৰ বাৰ্তা শুনি যিৰূচালেমৰ
পৰা ছাউনি ভাঙি গুচি গ’ল। ৬ তেতিয়া যিৰিমিয়া ভাববাদীৰ ওচৰলৈ
যিহোৱাৰ এই বাক্য আহিল, বোলে, ৭ “ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাই
এই কথা কৈছে: যিহূদাৰ যি ৰজাই মোৰ গুৰিত সুধিবলৈ তোমালোকক
পঠিয়াইছে, তেওঁক এই কথা ক’বা, ‘চোৱা, ফৰৌণৰ যি সৈন্য-
সামন্তই তোমালোকক সহায় কৰিবলৈ ওলাই আহিছে, তেওঁলোক

নিজ দেশ মিচৰলৈ উলটি যাব। ৮ আৰু কলদীয়াসকলে পুনৰায়
আহিব আৰু এই নগৰৰ অহিতে যুদ্ধ কৰি ইয়াক হাত কৰি লৈ
জুইৰে পুৰি পেলাব। ৯ যিহোৱাই এইদৰে কৈছে: “কলদীয়াসকল
আমাৰ ওচৰৰ পৰা একেবাৰে গুচি যাব বুলি কৈ তোমালোকে নিজক
নুভুলাবা,” কিয়নো তেওঁলোক একেবাৰ গুচি নাযাব। ১০ কাৰণ
তোমালোকৰ অহিতে যুদ্ধ কৰা কলদীয়াসকলৰ গোটেই সৈন্য-সামন্ত
যদিও তোমালোকে একেবাৰে প্ৰহাৰ কৰা আৰু তেওঁলোকৰ মাজৰ
খুন হোৱা লোক মাথোন অৱশিষ্ট থাকে, তথাপি তেওঁলোকে প্ৰতিজনে
নিজ নিজ তম্বুত উঠিব আৰু এই নগৰ জুই দি পুৰি পেলাব’।” ১১
কলদীয়াসকলৰ সৈন্য-সামন্তই যি সময়ত ফৰৌণৰ সৈন্য-সামন্তৰ
ভয়ত যিৰূচালেমৰ পৰা ছাউনি ভাঙি উলটি গৈছিল, ১২ সেই সময়ত
যিৰিমিয়াই বিন্যামীন প্ৰদেশত লোকসকলৰ মাজত থকা তেওঁৰ ভাগ
লবৰ মনেৰে তালৈ যাবলৈ যিৰূচালেমৰ পৰা ওলাইছিল। ১৩ পাছত
যেতিয়া তেওঁ বিন্যামীন নামেৰে বৰ দুৱাৰ পালেগৈ, তেতিয়া সেই
ঠাইত হননিয়াৰ নাতিয়েক চেলেমিয়াৰ পুতেক যিৰিয়া নামেৰে দুৱৰীৰ
এজন অধ্যক্ষ আছিল। তেওঁ যিৰিমিয়া ভাববাদীক ধৰি ক’লে, “তুমি
কলদীয়াসকলৰ ফলিয়া হ’বলৈ গৈছা। ১৪ তেতিয়া যিৰিমিয়াই ক’লে,
“এয়ে মিছা কথা, মই কলদীয়াসকলৰ ফলিয়া হ’বলৈ নাযাও।” তথাপি
যিৰিয়াই তেওঁৰ কথা নুশুনি, তেওঁক ধৰি প্ৰধান লোকসকলৰ গুৰিলৈ
লৈ গ’ল। ১৫ সেই প্ৰধান লোকসকলে যিৰিমিয়ালৈ ক্ৰোধ হৈ তেওঁক
কোবাই যোনাথন লিখকৰ ঘৰত থকা বন্দীশালত পেলাই হ’ল; কিয়নো
তেওঁলোকে তাকেই বন্দীশাল কৰিছিল। ১৬ যিৰিমিয়াই কাৰাকূপত,
আৰু সৰু সৰু কোঁঠালিবোৰত সোমাই সেই ঠাইত ভালেমান দিন
কটালে। ১৭ চিদিকিয়া ৰজাই মানুহ পঠিয়াই তেওঁক অনোৱালে
আৰু ৰজাই নিজৰ ঘৰত গুপুতে সুধিলে, বোলে, “যিহোৱাৰ পৰা
অহা কোনো বাক্য আছে নে?” তাতে যিৰিমিয়াই ক’লে, “আছে,”
তেওঁ আৰু ক’লে, “আপোনাক বাবিলৰ ৰজাৰ হাতত শোধাই দিয়া
হ’ব।” ১৮ যিৰিমিয়াই চিদিকিয়া ৰজাক আৰু ক’লে, “আপোনাৰ
বা আপোনাৰ পাত্ৰ-মন্ত্ৰীসকলৰ বা এই লোকসকলৰ বিৰুদ্ধে মই

কি অপৰাধ কৰিছোঁ, যে, আপোনালোকে মোক বন্দীশালত পেলাই
দিছে? ১৯ আৰু বাবিলৰ ৰজা আপোনালোকৰ বা এই দেশৰ বিৰুদ্ধে
নাহিব, এই বুলি কৈ আপোনালোকৰ আগত ভাববাণী প্ৰচাৰ কৰা
আপোনালোকৰ ভাববাদীসকল ক'ত? ২০ এতিয়া হে মোৰ প্ৰভু
মহাৰাজ! অনুগ্ৰহ কৰি শুনক, মই যোনাথন লিখকৰ ঘৰত যেন নমৰোঁ,
এই কাৰণে আপুনি সেই ঠাইলৈ মোক আৰু পঠিয়াই নিদিব! বিনয়
কৰোঁ, মোৰ এই মিনতি আপোনাৰ আগত গ্ৰহণ হওঁক।" ২১ তেতিয়া,
চিদিকিয়া ৰজাই আজ্ঞা দিয়াত লোকসকলে যিৰিমিয়াক প্ৰহৰীৰ
চোতালত ৰাখিলে। আৰু যেতিয়ালৈকে নগৰৰ সকলো ৰুটী নুটুকাল,
তেতিয়ালৈকে প্ৰতি দিনেই ৰুটীৱালা-পটিৰ পৰা এটা এটা ৰুটী আনি
তেওঁক দিয়া হ'ল। এইদৰে যিৰিমিয়া প্ৰহৰীৰ চোতালত থাকিল।

৩৮ তাৰ পাছত মত্তনৰ পুত্ৰ চফটিয়া আৰু পচহুৰৰ পুত্ৰ গদলিয়া আৰু
মল্কীয়াৰ পুত্ৰ পচ্ছুৰে, আটাই লোকৰ আগত যিৰিমিয়াই কোৱা এই
বাক্য শুনিলে, বোলে, ২ "যিহোৱাই এই কথা কৈছে: যি কোনো লোক
এই নগৰত থাকিব, তেওঁ তৰোৱালত, আকালত, আৰু মহামাৰীত
মৰিব; কিন্তু যি জনে কলদীয়াসকলৰ ওচৰলৈ ওলাই যাব, তেওঁ
জীয়াই থকিব, আৰু লুটদ্ৰব্যৰ নিচিনাকৈ নিজ প্ৰাণ লাভ কৰি জীয়াই
থকিব। ৩ যিহোৱাই এই কথা কৈছে: যে, এই নগৰ অৱশ্যে বাবিলৰ
ৰজাৰ সৈন্য-সামন্তৰ হাতত সমৰ্পণ কৰা হ'ব আৰু তেওঁ তাক হাত
কৰি ল'ব।" ৪ তাতে প্ৰধান লোকসকলে ৰজাক ক'লে, "আমি মিনতি
কৰোঁ, এই মানুহৰ প্ৰাণ দণ্ড কৰিবলৈ আজ্ঞা দিয়ক; কিয়নো তেওঁ
লোকসকলক এনেকুৱা কথা কৈ, এই নগৰৰ অৱশিষ্ট যুদ্ধাৰুসকলৰ
আৰু আটাই প্ৰজাসকলৰ হাত দুৰ্ব্বল কৰিছে, কাৰণ এই মানুহে এই
জাতিৰ মঙ্গললৈ চেষ্টা নকৰি, কেৱল অমঙ্গললৈ চেষ্টা কৰে।" ৫
তেতিয়া চিদিকিয়া ৰজাই ক'লে, "চোৱা, তেওঁ তোমালোকৰ হাততে
আছে; কাৰণ তোমালোকৰ অহিতে কৰিবলৈ ৰজাৰ একো সাধ্য নাই।
৬ তাতে তেওঁলোকে যিৰিমিয়াক ধৰি প্ৰহৰীৰ চোতালত থকা মল্কিয়া,
ৰাজকোঁৱৰৰ কূপত পেলালে। ৰছীৰে যিৰিমিয়াক নমাই দিলে। সেই
কূপত পানী নাছিল, কেৱল বোকা আছিল; তাতে যিৰিমিয়া বোকাত

প্ৰায় পোত গৈছিল। ৭ এনেতে যিৰিমিয়াক কূপত পেলোৱা কথা
ৰাজগৃহত থকা এবদ-মেলক নামেৰে এজন কুচদেশীয় নপুংসকে
শুনিলে। তেতিয়া ৰজা বিন্যামীনৰ দুৱাৰত বহি আছিল। ৮ এবদ-
মেলকে ৰাজগৃহৰ পৰা ওলাই গৈ ৰজাক ক'লে, ৯ "হে মোৰ প্ৰভু
মহাৰাজ, সেই লোকসকলে যিৰিমিয়া ভাববাদীক কূপত পেলাই দি
তেওঁলৈ নিতান্ত মন্দ ব্যৱহাৰ কৰিছে; তেওঁ যি ঠাইত আছে, সেই
ঠাইত তেওঁ ভোকত মৰিব লগীয়া হৈছে, কিয়নো নগৰত আৰু ৰুটী
নাই।" ১০ তেতিয়া ৰজাই কুচীয়া এবদ-মেলকক আজ্ঞা কৰিলে,
বোলে, "তুমি এই ঠাইৰ পৰা ত্ৰিশ জন মানুহ লগত লৈ গৈ যিৰিমিয়া
ভাববাদী নৌ মৰোঁতেই তেওঁক কূপৰ পৰা তোলা।" ১১ তেতিয়া
এবদ-মেলকে সেই ত্ৰিশ জন মানুহক লগত লৈ ৰাজগৃহৰ ভঁৰালৰ
তলৰ ঠাইলৈ গৈ তাৰ পৰা পেলনীয়া পুৰণি কাপোৰ আৰু পুৰণি পচা
ফতাকানি উলিয়াই, যিৰিমিয়াৰ ওচৰলৈ কূপলৈ ৰছীৰে সেইবোৰ
নমাই দিলে। ১২ আৰু কুচীয়া এবদ-মেলকে যিৰিমিয়াক ক'লে, "এই
পুৰণি পেলনীয়া কাপোৰ আৰু পচা ফতাকানি তোমাৰ কাষলতিত
ৰছীৰ তলত দিয়া।" তাতে তেওঁ তাকে কৰিলে। ১৩ তেওঁলোকে সেই
ৰছীত ধৰি টানি কূপৰ পৰা যিৰিমিয়াক তুলিলে। তেতিয়াৰে পৰা
যিৰিমিয়া প্ৰহৰীৰ চোতালত থাকিল। ১৪ পাছে চিদিকিয়া ৰজাই মানুহ
পঠিয়াই যিৰিমিয়া ভাববাদীক যিহোৱাৰ গৃহৰ তৃতীয় প্ৰৱেশস্থানলৈ
নিজৰ ওচৰলৈ অনোৱালে। আৰু ৰজাই যিৰিমিয়াক ক'লে, "মই
তোমাক এটি কথা সোধোঁ, তুমি মোৰ পৰা কোনো কথা গুপুতে
নাৰাখিবা।" ১৫ তেতিয়া যিৰিমিয়াই চিদিকিয়াক ক'লে, "মই যদি
আপোনাক জনাওঁ, তেন্তে আপুনি মোক অৱশ্যে বধ নকৰিব নে? আৰু
যদি আপোনাক পৰামৰ্শ দিওঁ, তেন্তে আপুনি মোৰ কথা নুশুনিব।" ১৬
তাতে চিদিকিয়া ৰজাই গুপুতে যিৰিমিয়াৰ আগত শপত খাই ক'লে,
"আমাৰ এই জীৱাত্মাৰ সৃষ্টিকৰ্ত্তা যিহোৱাৰ জীৱনৰ শপত, মই তোমাক
বধ নকৰোঁ, আৰু তোমাৰ প্ৰাণ লবলৈ বিচাৰি ফুৰা এই লোকসকলৰ
হাততো তোমাক সমৰ্পণ নকৰোঁ।" ১৭ তেতিয়া যিৰিমিয়াই চিদিকিয়াক
ক'লে, "বাহিনীসকলৰ ঈশ্বৰ, ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাই এই কথা

কৈছে: যে, তুমি যদি বাহিৰ ওলাই বাবিলৰ ৰজাৰ প্ৰধান লোকসকলৰ
ওচৰলৈ যোৱা, তেন্তে তোমাৰ প্ৰাণ থাকিব, আৰু এই নগৰ জুইৰে
পোৰা নহ'ব আৰু তুমি সপৰিবাৰে জীয়াই থাকিবা। ১৮ কিন্তু যদি
বাবিলৰ ৰজাৰ প্ৰধান লোকসকলৰ গুৰিলৈ নোযোৱা, তেন্তে এই নগৰ
কলদীয়াসকলৰ হাতত সমৰ্পণ কৰা হ'ব আৰু তেওঁলোকে ইয়াক জুইৰে
পুৰি পেলাব আৰু তুমিও তেওঁলোকৰ হাতৰ পৰা উদ্ধাৰ নাপাবা। ১৯
তেতিয়া চিদিকিয়া ৰজাই যিৰিমিয়াক ক'লে, "যি যিহুদী লোকসকল
কলদীয়াসকলৰ ফলিয়া হৈ গ'ল, তেওঁলোকলৈ মই ভয় ক'ৰোঁ,
যে, কিজানি তেওঁলোকে মোক তেওঁলোকৰ হাতত সমৰ্পণ কৰিব,
তাতে তেওঁলোকে মোক বিদ্ৰূপ কৰিব।" ২০ কিন্তু যিৰিমিয়াই ক'লে,
"তেওঁলোকে আপোনাক সমৰ্পণ নকৰিব। বিনয় কৰোঁ, যি বিষয়ে মই
আপোনাক কৈছোঁ, সেই বিষয়ে আপুনি যিহোৱাৰ বাক্যলৈ কাণ দিয়ক;
তাতে আপোনাৰ মঙ্গল হ'ব, আৰু আপোনাৰ প্ৰাণ বাচিব। ২১ কিন্তু
যদি আপুনি তেওঁলোকৰ ওচৰলৈ যাবলৈ অসন্মত হয়, তেন্তে শুনক,
যিহোৱাই মোক জনোৱা কথাতো এই: ২২ চোৱা, যিহূদাৰ ৰাজগৃহত
অৱশিষ্ট থকা সকলো মহিলাক বাবিলৰ ৰজাৰ প্ৰধান লোকসকলৰ
গুৰিলৈ নিয়া হ'ব; আৰু চোৱা!, সেই মহিলাসকলে ক'ব, 'তোমাৰ
প্ৰণয়ৰ বন্ধুসকলে তোমাক ভুলাই তোমাৰ প্ৰবৃত্তি জন্মালে। এতিয়া
তোমাৰ ভৰি বোকাত পোত যোৱা দেখি তোমাৰ পৰা বিমুখ হৈছে।
২৩ আৰু আপোনাৰ আটাই মহিলাৰ, আৰু আপোনাৰ সন্তান সকলক
উলিয়াই কলদীয়াসকলৰ গুৰিলৈ নিয়া হ'ব; আপুনি তেওঁলোকৰ হাতৰ
পৰা সাৰিব নোৱাৰিব, কিন্তু বাবিলৰ ৰজাৰ হাতত ধৰা পৰিব, আৰু
আপুনি এই নগৰক জুইৰে পুৰি পেলাব।" ২৪ পাছে চিদিকিয়াই
যিৰিমিয়াক ক'লে, "এইবোৰ কথা কোনেও বুজ নাপাওঁক; তাতে তুমি
নমৰিবা। ২৫ কিন্তু যদি প্ৰধান লোকসকলে মই তোমাৰে সৈতে কথা
হোৱা বাৰ্ত্তা পাই তোমাৰ গুৰিলৈ আহি কয়, যে, 'তুমি ৰজাক কি ক'লা,
তাক আমাক কোৱা। আমাৰ পৰা তাক গুপুতে নাৰাখিবা, তেতিয়া
আমি তোমাক বধ নকৰিম, আৰু ৰজাই তোমাক কি কলে, তাকো
কোৱা; ২৬ তেতিয়া তুমি তেওঁলোকক এই কথা ক'বা, 'যোনাথনৰ

ঘৰত মৰিবৰ কাৰণে মোক আকৌ তালৈ নপঠাবলৈ মই ৰজাৰ আগত
মিনতি জনাইছিলোঁ'।" ২৭ তেতিয়া সকলো প্ৰধান লোকে যিৰিমিয়াৰ
ওচৰলৈ আহি তেওঁক সুধিলে; আৰু তেওঁ, ৰজাই আজ্ঞা দিয়া সেই
সকলো কথা অনুসাৰে তেওঁলোকক ক'লে। এই হেতুকে তেওঁলোকে
তেওঁৰ লগত কথা হ'বলৈ এৰিলে; কিয়নো তেওঁলোকে সেই কথাটো
বুজ নাপালে। ২৮ তেতিয়াৰে পৰা যিৰূচালেম শত্ৰুৰ হাতত পৰা দিন
নোহোৱালৈকে যিৰিমিয়া সেই প্ৰহৰীৰ চোতালত থকিল।

**৩৯** পাছত যিৰূচালেম শত্ৰুৰ হাতত পৰা সময়ত, যিহূদাৰ ৰজা
চিদিকিয়াৰ ৰাজত্বৰ নৱম বছৰৰ দশম মাহত বাবিলৰ ৰজা নবূখদনেচৰ
আৰু তেওঁৰ সকলো সৈন্য-সামন্তই যিৰূচালেমৰ বিৰুদ্ধে আহি তাক
অৱৰোধ কৰিলে। ২ পাছত চিদিকিয়াৰ ৰাজত্বৰ একাদশ বছৰৰ
চতুৰ্থ মাহৰ নৱম দিনা নগৰৰ গড় ভাঙি বাট কৰা হ'ল। ৩ বাবিলৰ
ৰজাৰ আটাই প্ৰধান লোকসকল, অৰ্থাৎ নেৰ্গল-চৰেচৰ, চমগৰ-
নবো, প্ৰধান নপুংসক চৰ্চখীম আৰু প্ৰধান গণক নেৰ্গল-চৰেচৰ আদি
বাবিলৰ ৰজাৰ আটাই প্ৰধান লোকসকল সোমাই মধ্যম দুৱাৰত
বহিল। ৪ পাছত যেতিয়া যিহূদাৰ ৰজা চিদিকিয়া আৰু সকলো যুদ্ধাৰু
লোকে তেওঁলোকক সোমোৱা গম পালে, তেতিয়া তেওঁলোক পলাই
ৰজাৰ উদ্যানৰ বাটেদি, দুই গড়ৰ মাজত থকা দুৱাৰেদি নগৰৰ
বাহিৰলৈ ৰাতিয়েই ওলাই গ'ল; আৰু ৰজাই অৰাবাৰ বাটেদি ওলাই
গ'ল। ৫ কিন্তু কলদীয়াসকলৰ সৈন্য-সামন্তই তেওঁলোকৰ পাছত
খেদি গৈ যিৰীহোৰ সমথলত চিদিকিয়াক লগ পাই, তেওঁক ধৰি
হমাৎ দেশৰ ৰিব্লালৈ বাবিলৰ ৰজাৰ নবূখদনেচৰৰ গুৰিলৈ নিলে;
আৰু তেওঁ তেওঁলৈ দণ্ডাজ্ঞা কৰিলে। ৬ পাছে বাবিলৰ ৰজাই ৰিব্লাত
চিদিকিয়াৰ পুতেকসকলক তেওঁৰ চকুৰ আগতে বধ কৰিলে আৰু
বাবিলৰ ৰজাই যিহূদাৰ সকলো মুখ্য লোককো বধ কৰিলে। ৭ তাৰ
বাহিৰে, তেওঁ চিদিকিয়াৰ চকু কাঢ়ি, তেওঁক বাবিললৈ লৈ যাবৰ
কাৰণে শিকলিৰে বান্ধিলে। ৮ পাছত কলদীয়াসকলে ৰাজগৃহ আৰু
প্ৰজাসকলৰ ঘৰবোৰ জুই দি পুৰিলে আৰু যিৰূচালেমৰ গড়বোৰ ভাঙি
পেলালে। ৯ এই সময়ত নবুজৰদান ৰক্ষক-সেনাপতিয়ে নগৰৰ বাকী

থকা লোকসকলক, তেওঁৰ ফলীয়া হবলৈ পলাই যোৱাসকলক আৰু
আন আন অৱশিষ্ট লোকসকলক বন্দী কৰি বাবিললৈ লৈ গ'ল। ১০
কিন্তু নবুজৰদান ৰক্ষক-সেনাপতিয়ে কেতবোৰ একো নথকা দৰিদ্ৰ
লোকক যিহূদা দেশত অৱশিষ্ট ৰাখিলে, আৰু সেই কালত তেওঁলোকক
দ্ৰাক্ষাবাৰী আৰু মাটি দান কৰিলে। ১১ বাবিলৰ ৰজা নবূখদনেচৰে
যিৰিমিয়াৰ বিষয়ে নবুজৰদান ৰক্ষক-সেনাপতিক এই আজ্ঞা দিলে,
বোলে, ১২ "তুমি তেওঁক গ্ৰহণ কৰি তেওঁলৈ কৃপা দৃষ্টি কৰিবা, তেওঁৰ
কোনো অপকাৰ নকৰিবা; কিন্তু তেওঁ তোমাক যেনেকৈ ক'ব, তেওঁলৈ
তেনেকৈ কৰিবা।" ১৩ এই হেতুকে নবুজৰদান ৰক্ষক-সেনাপতি,
প্ৰধান নপুংসক নবুচৰ্জবান আৰু প্ৰধান গণক নেৰ্গল-চৰেচৰ আদি
বাবিলৰ ৰজাৰ আটাই প্ৰধান বিষয়াসকলে মানুহ পঠিয়াই প্ৰহৰীৰ
চোতালৰ পৰা যিৰিমিয়াক আনিলে। ১৪ আৰু তেওঁক ঘৰলৈ লৈ যাবৰ
কাৰণে চাফনৰ নাতিয়েক অহীকামৰ পুত্ৰ গদলিয়াৰ হাতত গটাই
দিলে; আৰু তেওঁ লোকসকলৰ মাজত বাস কৰিলে। ১৫ যিৰিমিয়া
প্ৰহৰীৰ চোতালত বন্ধ থকা সময়ত তেওঁৰ ওচৰলৈ যিহোৱাৰ এই
বাক্য আহিছিল, বোলে, ১৬ "তুমি গৈ কুচীয়া এবদ-মেলকক কোৱা,
'ইস্ৰায়েলৰ ঈশ্বৰ বাহিনীসকলৰ যিহোৱাই এই কথা কৈছে: চোৱা,
মঙ্গলৰ কাৰণে নহয়, অমঙ্গলৰ কাৰণেহে মই এই নগৰলৈ মোৰ বাক্য
ফলিওৱাম। সেই দিনা তোমাৰ আগত সেইবোৰ ফলিয়াব। ১৭ কিন্তু
যিহোৱাই কৈছে, "সেই দিনা মই তোমাক উদ্ধাৰ কৰিম; আৰু তুমি ভয়
কৰা লোকসকলৰ হাতত তোমাক সমৰ্পণ কৰা নহ'ব। ১৮ কিয়নো
মই তোমাক অৱশ্যে উদ্ধাৰ কৰিম। তুমি তৰোৱালত পতিত নহবা।
কিন্তু তুমি তোমাৰ নিজ প্ৰাণ লুটদ্ৰব্যৰ নিচিনাকৈ লাভ কৰিবা; কাৰণ,
যিহোৱাই কৈছে: তুমি মোক বিশ্বাস কৰিলা।"

৪০ বাবিললৈ বন্দী কৰি লৈ যোৱা যিৰূচালেমৰ আৰু যিহূদাৰ
লোকসকলৰ মাজত যিৰিমিয়াক নবুজৰদান ৰক্ষক-সেনাপতিয়ে
শিকলিৰে বন্ধা পাই তেওঁক ৰামাৰ পৰা পঠাই দিয়াৰ পাছত যিহোৱাৰ
পৰা যি বাক্য আহিছিল, সেই বাক্য। ২ ৰক্ষক-সেনাপতিয়ে যিৰিমিয়াক
গ্ৰহণ কৰি ক'লে, "তোমাৰ ঈশ্বৰ যিহোৱাই এই ঠাইৰ বিষয়ে এই

অমঙ্গলৰ কথা কৈছিল, ৩ আৰু যিহোৱাই তাক ঘটালে। আৰু নিজ
বাক্য অনুসাৰে কাৰ্য কৰিলে; তোমালোকে যিহোৱাৰ অহিতে পাপ
কৰিলা আৰু তেওঁৰ বাক্য পালন নকৰিলা, এই কাৰণে তোমালোকলৈ
এই ঘটনা ঘটিল। ৪ এতিয়া চোৱা! আজি মই তোমাক, তোমাৰ হাতত
থকা শিকলিৰ পৰা মুক্ত কৰিলোঁ; তুমি যদি মোৰ লগত বাবিললৈ
যাবলৈ ভাল দেখা, তেন্তে আহাঁ, মই তোমালৈ দৃষ্টি ৰাখিম; আৰু যদি
মোৰ লগত বাবিললৈ যাবলৈ বেয়া দেখা, তেন্তে নালাগে। চোৱা,
গোটেই দেশ তোমাৰ আগত আছে, যি ঠাইলৈ যোৱা তোমাৰ পক্ষে
ভাল আৰু সুবিধাজনক, তালৈকে যোৱা।” ৫ যিৰিমিয়াই উত্তৰ নিদিয়া
দেখি তেওঁ আকৌ ক’লে, “তেন্তে যি জনক বাবিলৰ ৰজাই যিহূদাৰ
নগৰবোৰৰ ওপৰত শাসনকৰ্ত্তা নিযুক্ত কৰিলে, চাফনৰ নাতিয়েক
অহীকামৰ পুত্ৰ সেই গদলিয়াৰ ওচৰলৈ উলটি যোৱা আৰু লোকসকলৰ
মাজত তেওঁৰ লগত বাস কৰাগৈ, বা যি ঠাইলৈ যোৱা তোমাৰ পক্ষে
সুবিধাজনক তালৈকে যোৱা; এই বুলি ৰক্ষক-সেনাপতিয়ে তেওঁৰ
বাটৰ সমল আৰু উপহাৰ দি বিদায় কৰিলে। ৬ পাছত যিৰিমিয়াই
মিস্পালৈ অহীকামৰ পুত্ৰ গদলিয়াৰ ওচৰলৈ আহিল আৰু দেশত
অৱশিষ্ট থকা লোকসকলৰ মাজত তেওঁৰে সৈতে বাস কৰিলে। ৭
পাছত, বাবিলৰ ৰজাই অহীকামৰ পুত্ৰ গদলিয়াক দেশৰ শাসনকৰ্ত্তা
পতা কথা, আৰু পুৰুষ, মহিলা, লৰা, ছোৱালী আদি বাবিললৈ বন্দী কৰি
লৈ নোযোৱা দেশৰ কেতবোৰ দুখীয়া মানুহক তেওঁৰ হাতত গতাই
দিয়া কথা যেতিয়া নগৰৰ বাহিৰত থকা ফৌজৰ সেনাপতিসকলে আৰু
তেওঁলোকৰ লোকসকলে শুনিবলৈ পালে, ৮ তেতিয়া তেওঁলোকে,
অৰ্থাৎ নথনিয়াৰ পুতেক ইশ্মায়েল, কাৰেহৰ দুজন পুতেক যোহানন
আৰু যোনাথন, তনহূমতৰ পুতেক চৰায়া, নটোফাতীয়া এফয়ৰ পুতেক
কেইজন আৰু মাখাথীয়াৰ পুতেক যাজনিয়া নিজ নিজ লোকসকলে
সৈতে মিস্পালৈ গদলিয়াৰ ওচৰলৈ আহিল। ৯ তেতিয়া চাফনৰ
নাতিয়েক অহীকামৰ পুত্ৰ গদলিয়াই তেওঁলোকৰ আৰু তেওঁলোকৰ
লোকসকলৰ আগত শপত খাই ক’লে, “তোমালোকে কলদীয়াসকলৰ
অধীন হ’বলৈ ভয় নকৰিবা; দেশত বাস কৰি বাবিলৰ ৰজাৰ অধীন

হোৱা, তেতিয়া তোমালোকৰ মঙ্গল হ'ব।" ১০ আৰু চোৱা, মই হ'লে যি
কলদীয়াসকল আমাৰ ওচৰলৈ আহিব, তেওঁলোকৰ আগত থিয় হ'বলৈ
মিস্পাত বাস কৰিম; কিন্তু তোমালোকে দ্ৰাক্ষাৰস, ফল আৰু তেল
গোটাই নিজ নিজ পাত্ৰত ৰাখা আৰু তোমালোকে লোৱা নিজ নিজ
নগৰত বাস কৰা।" ১১ তেতিয়া বাবিলৰ ৰজাই যিহূদাৰ এটি অৱশিষ্ট
ভাগ এৰি যোৱা কথা আৰু তেওঁলোকৰ ওপৰত চাফনৰ নাতিয়েক
অহীকামৰ পুত্ৰ গদলিয়াক শাসনকৰ্ত্তা পতা কথা যেতিয়া মোৱাবত,
অম্মোনৰ সন্তান সকলৰ মাজত আৰু ইদোম আদি সকলো দেশত
থকা আটাই যিহূদীসকলে শুনিবলৈ পালে, ১২ তেতিয়া, যি যি ঠাইলৈ
সেই যিহূদীসকলক খেদাই দিয়া হৈছিল, সেই সকলো ঠাইৰ পৰা
তেওঁলোক সকলোৱেই যিহূদা দেশৰ মিস্পালৈ গদলিয়াৰ ওচৰলৈ
উলটি আহিল আৰু অধিক পৰিমাণে দ্ৰাক্ষাৰস আৰু ফল গোটালে। ১৩
পাছে কাৰেহৰ পুতেক যোহানন আদি নগৰৰ বাহিৰত থকা ফৌজন
সকলোৰে সেনাপতিয়ে মিস্পালৈ গদলিয়াৰ ওচৰলৈ আহি তেওঁক
ক'লে, ১৪ "অম্মোনৰ সন্তান সকলৰ ৰজা বালীচে তোমাৰ প্ৰাণ লবলৈ
নথনিয়াৰ পুতেক ইশ্মায়েলক পঠিয়াইছে, তুমি তাক জানা নে?" কিন্তু
অহীকামৰ পুত্ৰ গদলিয়াই তেওঁলোকৰ কথা বিশ্বাস নকৰিলে। ১৫
পাছে কাৰেহৰ পুতেক যোহাননে মিস্পাত গদলিয়াক গুপুতে ক'লে,
"মই মিনতি কৰোঁ, মোক যাবলৈ দিয়া, কোনো মানুহে নজনাকৈ মই
নথনিয়াৰ পুতেক ইশ্মায়েলক বধ কৰোঁগৈ; তেওঁ কিয় তোমাৰ প্ৰাণ
ল'ব আৰু তোমাৰ ওচৰত গোট খোৱা সকলো যিহূদী লোক ছিন্ন-
ভিন্ন হ'ব আৰু যিহূদাৰ অৱশিষ্ট ভাগ নষ্ট হ'ব? ১৬ কিন্তু অহীকামৰ
পুত্ৰ গদলিয়াই কাৰেহৰ পুতেক যোহাননক ক'লে, "তুমি এনে কাম
নকৰিবা; কিয়নো তুমি ইশ্মায়েলৰ বিষয়ে মিছা কথা কৈছা।"

**৪১** পাছে সপ্তম মাহত, ৰজাৰ প্ৰধান বিষয়াসকলৰ মাজত গণিত
হোৱা ৰাজবংশীয় ইলীচামাৰ নাতিয়েক নথনিয়াৰ পুতেক ইশ্মায়েলে
দহজন লোকক লগত লৈ, মিস্পালৈ অহীকামৰ পুত্ৰ গদলিয়াৰ ওচৰলৈ
আহিল আৰু তেওঁলোকে মিস্পাত একেলগে ভোজন কৰিলে। ২ পাছত
নথনিয়াৰ পুতেক ইশ্মায়েল আৰু তেওঁৰ লগত থকা সেই দহজন

লোকে উঠি, বাবিলৰ ৰজাই দেশৰ শাসনকৰ্ত্তা নিযুক্ত কৰা চাফনৰ
নাতিয়েক অহীকামৰ পুত্ৰ সেই গদলিয়াক তৰোৱালেৰে বধ কৰিলে।
৩ আৰু মিস্পাত গদলিয়াৰ লগত থকা সকলো যিহুদীক আৰু তাত
পোৱা যুদ্ধাৰু কলদীয়াসকলকো ইশ্মায়েলে বধ কৰিলে। ৪ তেতিয়া
গদলিয়াক বধ কৰাৰ পিছৰ দিন আছিল, তেতিয়া সেই কথা কোনো
মানুহে জনা নাছিল। ৫ চিখিম, চীলো আৰু চমৰিয়াৰ পৰা অহা সম্পূৰ্ণ
ডাড়ি খুৰুউৰা, পিন্ধা কাপোৰ ছিৰা আৰু নিজ নিজ গা কাটকুট কৰা
আশী জন মানুহ যিহোৱাৰ গৃহত উৎসৰ্গ কৰিবলৈ হাতত নৈবেদ্য আৰু
ধূপ লৈ আহিছিল। ৬ পাছত নথনিয়াৰ পুতেক ইশ্মায়েলে তেওঁলোকৰ
লগত সাক্ষাত কৰিবলৈ মিস্পাৰ পৰা কান্দি কান্দি ওলাই গ'ল; আৰু
তেওঁলোকৰ সাক্ষাত হৈ তেওঁলোকক ক'লে, "অহীকামৰ পুত্ৰ গদলিয়াৰ
ওচৰলৈ আহাঁ!" ৭ তেতিয়া, তেওঁলোক নগৰৰ মাজ ঠাইলৈ আহি
পাওঁতে, নথনিয়াৰ পুতেক ইশ্মায়েলে আৰু তেওঁৰ লগত সেই লোক
কেইজনে তেওঁলোকক বধ কৰি গাতটোৰ ভিতৰলৈ পেলাই দিলে।
৮ কিন্তু তেওঁবিলাকৰ মাজত এনে দহ জন মানুহ পোৱা গৈছিল,
যে, তেওঁলোকে ইশ্মায়েলক ক'লে, "আমাক বধ নকৰিবা, কিয়নো
পথাৰত পুতি থোৱা আমাৰ ঘেঁহু, যৱ, তেল আৰু মৌৰ ভঁৰাল আছে।"
এই বুলি কোৱাত ইশ্মায়েলে ক্ষান্ত হৈ তেওঁলোকৰ ভায়েকসকলৰ
মাজত তেওঁলোকক বধ নকৰিলে। ৯ যি গাতত ইশ্মায়েলে নিজে
বধ কৰা সকলো মানুহৰ মৰা শৱ গদলিয়াৰ শৰৰ কাষত পেলাই
দিছিল, সেই গাত ইস্ৰায়েলৰ বাচা ৰজাৰ ভয়ত আচা ৰজাই খনোৱা
গাত আছিল; নথনিয়াৰ পুতেক ইশ্মায়েলে ইয়াক বধ কৰা লোকৰ
শৱেৰে পূৰ কৰিলে। ১০ পাছত ইশ্মায়েলে মিস্পাত অৱশিষ্ট থকা
সকলো লোকক, নবুজৰদান ৰক্ষক-সেনাপতিয়ে অহীকামৰ পুত্ৰ
গদলিয়াৰ হাতত গতাই দিয়া ৰাজবংশীয় জীয়াৰীসকল আদি কৰি
মিস্পাত অৱশিষ্ট থকা সকলো লোকক বন্দী কৰি নিলে; নথনিয়াৰ
পুতেক ইশ্মায়েলে তেওঁলোকক বন্দী কৰি লৈ অম্মোনৰ সন্তান সকলৰ
ওচৰলৈ যাবলৈ প্ৰস্থান কৰিলে। ১১ কিন্তু কাৰেহৰ পুতেক যোহাননে
আৰু তেওঁৰ লগত থকা ফৌজৰ সকলো সেনাপতিয়ে, নথনিয়াৰ

পুতেক ইশ্মায়েলে কৰা আটাই কুকৰ্মৰ কথা শুনিবলৈ পালে। ১২
তেতিয়া তেওঁলোকে সকলো মানুহক লগত লৈ নথনিয়াৰ পুতেক
ইশ্মায়েলে সৈতে যুদ্ধ কৰিবলৈ গ'ল আৰু গিবিয়োনৰ থকা বৰ পুখুৰীৰ
ওচৰত তেওঁক দেখা পালে। ১৩ পাছত যেতিয়া ইশ্মায়েলৰ লগত
থকা সকলো লোকসকলে, কাৰেহৰ পুতেক যোহাননক আৰু তেওঁৰ
লগৰ ফৌজৰ সেনাপতিসকলক দেখিবলৈ পালে, তেতিয়া তেওঁলোক
আনন্দিত হ'ল। ১৪ আৰু ইশ্মায়েলে মিস্পাৰ পৰা বন্দী কৰি নিয়া
সকলো লোকে মুখ ঘূৰাই কাৰেহৰ পুতেক যোহাননৰ গুৰিলৈ উলটি
আহিল। ১৫ কিন্তু নথনিয়াৰ পুতেক ইশ্মায়েল আঠোটা মানুহে সৈতে
যোহাননৰ আগৰ পৰা পলাই অম্মোনৰ সন্তান সকলৰ ওচৰলৈ গ'ল।
১৬ নথনিয়াৰ পুতেক ইশ্মায়েলে অহীকামৰ পুত্ৰ গদলিয়াক বধ কৰাৰ
পাছত, তাৰ হাতৰ পৰা কাৰেহৰ পুতেক যোহাননে আৰু তেওঁৰ লগৰ
সেনাপতিসকলে যিসকল অৱশিষ্ট লোক মিস্পাৰ পৰা এৰুৱাই ওভটাই
আনিছিল, তেওঁলোকক অৰ্থাৎ যুদ্ধ কৰিব পৰা পুৰুষসকলক আৰু
গিবিয়োনৰ পৰা অনা মহিলা, ল'ৰা আৰু নপুংসকসকলক তেওঁলোকে
লগত ল'লে। ১৭ আৰু তেতিয়া তেওঁলোকে গৈ, কল্দীয়াসকলৰ ভয়ত
মিচৰলৈ যাবৰ মনেৰে বৈৎলেহেমৰ কাষত থকা গেৰূৎ-কিমহমত বাস
কৰিলে। ১৮ কিয়নো তেওঁলোকে তেওঁলোকলৈ ভয় কৰিছিল; কাৰণ
নথনিয়াৰ পুতেক ইশ্মায়েলে বাবিলৰ ৰজাই দেশৰ ওপৰত শাসনকৰ্তা
নিযুক্ত কৰা অহীকামৰ পুত্ৰ গদলিয়াক বধ কৰিছিল।

**৪২** তেতিয়া কাৰেহৰ পুতেক যোহানন, হোচয়াৰ পুতেক যাজনিয়া
আদি ফৌজৰ সকলো সেনাপতি আৰু সৰুৰ পৰা বৰলৈকে সকলো
প্ৰজাই যিৰিমিয়া ভাববাদীৰ ওচৰলৈ চাপি আহিল। ২ তেওঁলোকে
তেওঁক ক'লে, "তোমাৰ আগত আমাৰ নিবেদন গ্ৰাহ্য হওঁক আৰু তুমি
তোমাৰ ঈশ্বৰ যিহোৱাৰ আগত আমাৰ বাবে, এই সকলো অৱশিষ্ট
লোকৰ বাবেই প্ৰাৰ্থনা কৰা, কিয়নো তুমি নিজ চকুৰে দেখিছা যে
অধিক লোকৰ পৰা আমি অলপ মাথোন অৱশিষ্ট আছোঁ। ৩ আমি
কোন বাটেদি যোৱা উচিত আৰু কি কাৰ্য কৰা উচিত ইয়াকে দেখুৱাবৰ
অৰ্থে তোমাৰ ঈশ্বৰ যিহোৱাক নিবেদন কৰা।" ৪ তেতিয়া যিৰিমিয়া

ভাববাদীয়ে তেওঁলোকক ক'লে, "মই তোমালোকৰ কথা শুনিলোঁ;
চোৱা তোমালোকৰ বাক্য অনুসাৰে মই তোমালোকৰ ঈশ্বৰ যিহোৱাৰ
আগত প্ৰাৰ্থনা কৰিম আৰু যিহোৱাই তোমালোকলৈ যি যি উত্তৰ দিব,
তাৰ সকলো কথা তোমালোকক জনাম, তাৰ একোকে তোমালোকৰ
পৰা গুপুতে নাৰাখিম।" ৫ তেতিয়া তেওঁলোকে যিৰিমিয়াক ক'লে,
"তোমাৰ ঈশ্বৰ যিহোৱাই তোমাৰ দ্বাৰাই যি যি বাক্য আমালৈ কৈ
পঠিয়াব, সেই সকলো বাক্য অনুসাৰে আমি যদি কাৰ্য নকৰোঁ, তেন্তে
যিহোৱা আমাৰ বিৰুদ্ধে সত্য আৰু বিশ্বাসী সাক্ষী হওঁক। ৬ আমাৰ
ঈশ্বৰ যিহোৱাৰ বাক্য আমি পালন কৰিলে আমাৰ মঙ্গল কাৰণে, আমি
যিজনৰ ওচৰলৈ তোমাক পঠিয়ালোঁ, আমাৰ ঈশ্বৰ সেই যিহোৱাৰ
বাক্য ভাল বা বেয়া হওঁক, আমি তাক পালন কৰিম।" ৭ পাছত দহ
দিনৰ মুৰত যিহোৱাৰ বাক্য যিৰিমিয়াৰ ওচৰলৈ আহিল। ৮ তেতিয়া
তেওঁ কাৰেহৰ পুতেক যোহাননক আৰু তেওঁৰ লগত থকা সকলো
সেনাপতিক আৰু সৰুৰ পৰা বৰলৈকে সকলো প্ৰজাক মাতি আনিলে।
৯ আৰু তেওঁ তেওঁলোকক ক'লে, "তোমালোকৰ নিবেদন জনাবলৈ
যিজনৰওচৰলৈ মোক পঠিয়াইছিলা, সেই ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাই
এই কথা কৈছে, ১০ 'তোমালোকে যদি এতিয়াও এই দেশত বাস
কৰা, তেন্তে মই তোমালোকক পাতিম, নাভাঙিম, তোমালোকক ৰুম,
নুঘালিম; কিয়নো তোমালোকৰ যি অমঙ্গল কৰিছোঁ, সেই বিষয়ে
মই ক্ষান্ত হ'লো। ১১ যিজনৰ পৰা তোমালোকে ভয়ত আছা, সেই
বাবিলৰ ৰজালৈ ভয় নকৰিবা; যিহোৱাই কৈছে, 'তেওঁলৈ ভয় নকৰিবা;
কিয়নো তোমালোকক নিস্তাৰ কৰিবলৈ আৰু তেওঁৰ হাতৰ পৰা
তোমালোকক উদ্ধাৰ কৰিবলৈ মই তোমালোকৰ লগত আছোঁ। ১২
আৰু মই তোমালোকক করুণা দান কৰিম; আৰু তোমালোকক দয়া কৰি
তোমালোকৰ দেশলৈ তোমালোকক উভটাই আনিম। ১৩ "কিন্তু, আমি
এই দেশত বাস নকৰোঁ," এই বুলি কৈ যদি তোমালোকে তোমালোকৰ
ঈশ্বৰ যিহোৱাৰ বাক্য নুশুনা, ১৪ আৰু যদি তোমালোকে কোৱা, যে,
"সেয়ে নহ'ব! আমি য'ত ৰণ নেদেখিম, শিঙাৰ শব্দ নুশুনিম, আৰু
আহাৰৰ অভাৱত ক্ষুধাতুৰ নহ'ম, সেই মিচৰ দেশত আমি সোমামগৈ,

আৰু আমি তাত বাস কৰিম।” ১৫ তেতিয়া হে যিহূদাৰ অৱশিষ্ট ভাগ,
তোমালোকে যিহোৱাৰ বাক্য শুনা। ইস্ৰায়েলৰ ঈশ্বৰ বাহিনীসকলৰ
যিহোৱাই এই কথা কৈছে: তোমালোকে যদি মিচৰত সোমাবলৈ
একেবাৰে সেইফালে মুখ কৰা আৰু তাত বাস কৰিবলৈ যোৱা, ১৬
তেতিয়া তোমালোকে যি তৰোৱাললৈ ভয় কৰিছা সেই তৰোৱালে মিচৰ
দেশতেই তোমালোকক লগ পাব আৰু যি দুৰ্ভিক্ষলৈ তোমালোকে ত্ৰাস
পাইছা, সেই দুৰ্ভিক্ষই মিচৰ দেশতেই তোমালোকক ঢুকি পাব, আৰু
তোমালোক তাতে মৰিবা। ১৭ যিসকল লোকে প্ৰবাস কৰিবৰ অৰ্থে
মিচৰত সোমাবলৈ মুখ কৰিব, তেওঁলোক সকলোৰে সেই দশা হ’ব;
তেওঁলোক তৰোৱাল, আকাল আৰু মহামাৰীৰ দ্বাৰাই মৰা পৰিব; আৰু
মই তেওঁলোকলৈ যি অমঙ্গল ঘটাম, তাৰ পৰা তেওঁলোকৰ কোনেও
উদ্ধাৰ কি ৰক্ষা নাপাব। ১৮ কিয়নো ইস্ৰায়েলৰ ঈশ্বৰ বাহিনীসকলৰ
যিহোৱাই এই কথা কৈছে: যিৰূচালেম-নিবাসীসকলৰ ওপৰত যেনেকৈ
মোৰ ক্ৰোধ আৰু কাপ ঢালি দিয়া হৈছিল, তেনেকৈ তোমালোকে মিচৰ
দেশত সোমোৱা সময়ত তোমালোকৰ ওপৰতো মোৰ ক্ৰোধ ঢালি
দিয়া হ’ব; আৰু তোমালোক শাও, বিস্ময়, অভিশাপ আৰু নিন্দাৰ বিষয়
হ’বা; তোমালোকে এই ঠাই আৰু দেখিবলৈ নাপাবা।’ ১৯ হে যিহূদাৰ
অৱশিষ্টভাগ, তোমালোকক যিহোৱাই ক’লে; তোমালোক মিচৰত
নোসোমাবা! মই আজি তোমালোকক সতৰ্ক কৰিলোঁ, ইয়াক নিশ্চয়ে
জানিবা। ২০ কিয়নো তোমালোকে তোমালোকৰ বিৰুদ্ধে তোমালোকক
ভ্ৰান্ত কৰিলা; কাৰণ তোমালোকে মোক নিজৰ ঈশ্বৰ যিহোৱাৰ গুৰিলৈ
পঠিয়াই কৈছিলা, যে, ‘তুমি আমাৰ বাবে আমাৰ ঈশ্বৰ যিহোৱাৰ
আগত প্ৰাৰ্থনা কৰা; তেতিয়া আমাৰ ঈশ্বৰ যিহোৱাই যি যি ক’ব,
সেইদৰে তুমি আমাক জনাবা, আমি তাক কৰিম।’ ২১ পাছে আজি
মই তোমালোকক তাক জনালোঁ; কিন্তু যি বিষয়ে তোমালোকৰ ঈশ্বৰ
যিহোৱাই মোক তোমালোকৰ ওচৰলৈ পঠিয়াইছিল, সেই বিষয়ৰ
কোনো কথাত, তেওঁৰ বাক্যলৈ তোমালোকে কাণ দিয়া নাই। ২২
এতেকে এতিয়া নিশ্চয়ে জানিবা, যে, তোমালোকে প্ৰবাস কৰিবলৈ যি

ঠাইলৈ যাব খুজিছা, সেই ঠাইত তৰোৱাল, আকাল আৰু মহামাৰীৰ
দ্বাৰাই মৃত্যুৰ মুখত পৰিবা।”

**৪৩** সকলো লোকৰ আগত ক’বলৈ তেওঁলোকৰ ঈশ্বৰ যিহোৱাই
যিৰিমিয়াৰ দ্বাৰাই যি যি বাক্য তেওঁলোকলৈ কৈ পঠিয়াইছিল,
যিৰিমিয়াই তেওঁলোকৰ ঈশ্বৰ যিহোৱাৰ সেই সকলো বাক্য তেওঁলোক
সকলোৰে আগত কৈ এঁটালে। ২ হোচয়াৰ পুতেক অজৰিয়া আৰু
কাৰেহৰ পুতেক যোহানন আদি সকলো গৰ্ব্বী লোকে যিৰিমিয়াক
ক’লে, “তুমি মিছাকৈ কৈছা। প্ৰবাস কৰিবৰ অৰ্থে তোমালোকে মিচৰত
নোসোমাবা, এই বুলি ক’বলৈ আমাৰ ঈশ্বৰ যিহোৱাই তোমাক পঠিওৱা
নাই।’ ৩ কিন্তু আমাক বধ কৰিবলৈ আৰু বাবিললৈ আমাক বন্দী কৰি
লৈ যাবলৈ কলদীয়াসকলৰ হাতত শোধাই দিবৰ মনেৰে নেৰিয়াৰ
পুতেক বাৰুকে আমাৰ অহিতে তোমাক বুদ্ধি দিছে। ৪ এই হেতুকে
কাৰেহৰ পুতেক যোহানন আদি ফৌজৰ কোনো সেনাপতিয়ে আৰু
প্ৰজাসকলৰ কোনেও যিহূদা দেশত বাস কৰিবলৈ যিহোৱাৰ বাক্যলৈ
কাণ নিদিলে। ৫ কিন্তু যি যি জাতিৰ মাজলৈ যিহূদাৰ লোকসকলক
খেদাই দিয়া হৈছিল, যিহূদা দেশত প্ৰবাস কৰিবলৈ, সেই সেই জাতিৰ
পৰা উলটি অহা যিহূদাৰ আটাই অৱশিষ্ট ভাগক লৈ গৈছিল। ৬ অৰ্থাৎ
পুৰুষ, মহিলা, ল’ৰা, ছোৱালী আৰু ৰাজকুমাৰী আদি চাফনৰ নাতিয়েক
অহীকামৰ পুত্ৰ গদলিয়াৰ হাতত নবুজৰদান ৰক্ষক-সেনাপতিয়ে
গতাই দিয়া সকলো লোকক, যিৰিমিয়া ভাববাদীক আৰু নেৰিয়াৰ
পুত্ৰ বাৰুকক কাৰেহৰ পুতেক যোহানন আৰু ফৌজৰ আন সকলো
সেনাপতিয়ে লগত লৈ গ’ল; আৰু তেওঁলোক মিচৰ দেশত সোমাল। ৭
কিয়নো তেওঁলোকে যিহোৱাৰ বাক্যলৈ কাণ নিদিলে; আৰু তেওঁলোক
তহপন্হেচলৈকে গ’ল। ৮ তেতিয়া তহপন্হেচত যিৰিমিয়াৰ ওচৰলৈ
যিহোৱাৰ বাক্য আহিল, বোলে, ৯ “তুমি তোমাৰ হাতত গোটাদিয়েক
ডাঙৰ শিল লৈ তহপন্হেচত ফৰৌণৰ ৰাজগৃহলৈ সোমোৱা ঠাইত
যি ইটাৰ গাঁঠনি আছে, তাৰ চুৰ্কীৰ মাজত যিহুদী লোকৰ সাক্ষাতে
সেই শিলবোৰ পুতি থ’বা। ১০ তেওঁলোকক ক’বা, “ইস্ৰায়েলৰ ঈশ্বৰ
বাহিনীসকলৰ যিহোৱাই এই কথা কৈছে, ‘চোৱা, মই দূত পঠিয়াই

মোৰ দাস বাবিলৰ ৰজা নবূখদনেচৰক অনোৱাম আৰু মই পুতি থোৱা
এই শিলবোৰৰ ওপৰত তেওঁৰ সিংহাসন স্থাপন কৰিম; আৰু তেওঁ
তাৰ ওপৰত নিজৰ ৰাজকীয় চন্দ্ৰতাপ তৰিব। ১১ তেওঁ আহি মিচৰক
আঘাত কৰিব; আৰু মৃত্যুৰ বাবে নিৰূপিত লোক মৃত্যুলৈ, বন্দীৰ
বাবে নিৰূপিত লোক বন্দী অৱস্থালৈ আৰু তৰোৱাললৈ নিৰূপিত লোক
তৰোৱাললৈ সমৰ্পিত হ'ব। ১২ আৰু তেতিয়া মই মিচৰৰ দেৱতাবোৰৰ
ঘৰত জুই লগাম; তেওঁ সেইবোৰৰ কেতবোৰ দগ্ধ কৰি লৈ যাব; আৰু
মেৰৰখীয়াই নিজৰ গাত কাপোৰ লোৱাদি তেওঁ এই মিচৰ দেশেৰে
নিজকে সজ্জিত কৰিব; পাছে তেওঁ এই ঠাইৰ পৰা শান্তিৰে ওলাই
যাব। ১৩ তেওঁ মিচৰ দেশত থকা বৈৎ-চেমচৰ স্তম্ভবোৰ ভাঙিব আৰু
মিচৰৰ দেৱতাবোৰৰ ঘৰবোৰ জুই দি পুৰি পেলাব।

**৪৪** মিগদোল তহপন্হেচত, নোফত আৰু পথ্ৰোচ প্ৰদেশত থকা মিচৰ-
দেশনিবাসী সকলো যিহুদীসকলৰ বিষয়ে যিৰিমিয়াৰ ওচৰলৈ অহা
বাক্য। ২ ইস্ৰায়েলৰ ঈশ্বৰ বাহিনীসকলৰ যিহোৱাই এই কথা কৈছে:
'যিৰূচালেমলৈ আৰু যিহূদাৰ সকলো নগৰলৈ মই ঘটোৱা সকলো
অমঙ্গল তোমালোকে দেখিলা; চোৱা, সেইবোৰ আজি উচ্ছন্ন হোৱা
ঠাই, সেইবোৰৰ মাজত কোনেও বাস নকৰে। ৩ ধূপ জ্বলাবলৈ আৰু
তেওঁলোকে বা তোমালোকে বা তোমালোকৰ পূৰ্বপুৰুষসকলেও নজনা
ইতৰ দেৱতাবোৰক সেৱা পূজা কৰিবলৈ যোৱাৰ দ্বাৰাই মোক বেজাৰ
দিবলৈ তেওঁলোকে কৰা দুষ্কৰ্মই ইয়াৰ কাৰণ। ৪ তথাপি মই প্ৰভাতে
উঠি সকলো দাস ভাববাদীসকলক তোমালোকৰ ওচৰলৈ পঠিয়াই
কোৱাইছিলোঁ যে, 'তোমালোকে মোৰ ঘিণলগীয়া এই গৰ্হিত কাৰ্য
নকৰিবা।' ৫ কিন্তু তেওঁলোকে নুশুনিলে; আৰু নিজ নিজ দুষ্টতাৰ পৰা
ঘূৰিবলৈ, ইতৰ দেৱতাবোৰৰ উদ্দেশ্যে ধূপ নজ্বলাবলৈ তেওঁলোকে
কাণ নাপাতিলে। ৬ এই কাৰণে মোৰ ক্ৰোধ আৰু কোপৰূপ অগ্নি
বৰষিলে আৰু যিহূদাৰ নগৰবোৰত, আৰু যিৰূচালেমৰ আলিবোৰত
সেয়ে জ্বলি উঠিল; আজি তোমালোকে দেখাৰ দৰে সেইবোৰক উচ্ছন্ন
আৰু ধ্বংস কৰা হৈছে। ৭ এই হেতুকে এতিয়া ইস্ৰায়েলৰ ঈশ্বৰ
বাহিনীসকলৰ ঈশ্বৰ যিহোৱাই এই কথা কৈছে: তোমালোক উচ্ছন্ন

হ’বলৈ আৰু পৃথিৱীৰ সকলো জাতিৰ মাজত অভিশাপ আৰু ধিক্কাৰৰ
বিষয় হ’বলৈ, তোমালোকে প্ৰবাস কৰিবলৈ অহা এই মিচৰ দেশত
ইতৰ দেৱতাবোৰৰ উদ্দেশ্যে ধূপ জ্বলাই তোমালোকৰ হাতৰ কাৰ্যেৰে
মোক বেজাৰ দিলা। ৮ তোমালোকৰ কোনো অৱশিষ্ট নথকাকৈ,
যিহূদাৰ মাজৰ পৰা তোমালোকৰ সম্পৰ্কীয় পুৰুষ, মহিলা, ল’ৰা
আৰু পিয়াহ খোৱা কেঁচুৱাক উচ্ছন্ন কৰিবলৈ তোমালোকে কিয় নিজ
নিজ প্ৰাণৰ বিৰুদ্ধে এই মহাপাপ কৰিছা? ৯ যিহূদা দেশত আৰু
যিৰূচালেমৰ আলিত কৰা তোমালোকৰ পূৰ্বপুৰুষসকলৰ যিহূদাৰ
ৰজাসকলৰ, তেওঁলোকৰ ভাৰ্য্যাসকল আৰু তোমালোকৰ নিজৰ
নিজৰ দুষ্কৰ্ম আৰু তোমালোকৰ ভাৰ্য্যাসকলৰ দুষ্কৰ্ম পাহৰিলা নে?
১০ তেওঁলোকে আজিলৈকে নম্ৰ হোৱা নাই, ভয়ো কৰা নাই আৰু
তোমালোকৰ ও তোমালোকৰ পূৰ্বপুৰুষসকলৰ আগত মই স্থাপন
কৰা মোৰ ব্যৱস্থা কি বিধিবোৰৰ দৰে চলা নাই। ১১ এই হেতুকে
ইস্রায়েলৰ ঈশ্বৰ বাহিনীসকলৰ যিহোৱাই এই কথা কৈছে: “চোৱা,
মই অমঙ্গল কৰিবলৈ এনে কি গোটেই যিহূদাক উচ্ছন্ন কৰিবলৈ
তোমালোকৰ ফাললৈ মুখ কৰিম। ১২ আৰু এই মিচৰ দেশত প্ৰবাস
কৰিবৰ অৰ্থে ইয়াত সোমাবলৈ মুখ কৰা যিহূদাৰ অৱশিষ্ট ভাগক
মই ধৰিম, তেতিয়া তেওঁলোকৰ সকলো উচ্ছন্ন হ’ব; তেওঁলোক এই
মিচৰ দেশতেই পতিত হ’ব; তেওঁলোক তৰোৱাল আৰু আকালৰ
দ্বাৰাই নষ্ট হ’ব; সৰুৰ পৰা বৰলৈকে তেওঁলোক তৰোৱালত আৰু
দুৰ্ভিক্ষত মৰা পৰিব; আৰু তেওঁলোক শাও, বিস্ময়, অভিশাপ, আৰু
ধিক্কাৰৰ বিষয় হ’ব। ১৩ কিয়নো যেনেকৈ মই তৰোৱাল, আকাল
আৰু মহামাৰীৰ দ্বাৰাই যিৰূচালেমক দণ্ড দিলোঁ, তেনেকৈ এই মিচৰ
দেশত প্ৰবাস কৰা লোকসকলকো দণ্ড দিম। ১৪ তেতিয়া এই মিচৰ
দেশত প্ৰবাস কৰিবলৈ অহা যিহূদাৰ অৱশিষ্ট ভাগে যি যিহূদাত বাস
কৰিবৰ কাৰণে উলটি যাবলৈ ইচ্ছা কৰিছে, সেই যিহূদালৈ উলটি
যাবৰ বাবে, তেওঁলোকৰ কোনেও ৰক্ষা নাপাব বা অৱশিষ্ট নাথাকিব;
কিয়নো পলৰীয়াসকলৰ বাহিৰে কোনেও উলটি নাযাব।” ১৫ তেতিয়া
যি সকলো পুৰুষে, তেওঁলোকৰ ভাৰ্য্যাসকলে ইতৰ দেৱতাবোৰৰ

উদ্দেশ্যে ধূপ জ্বলাইছে বুলি জানিছিল, তেওঁলোকে আৰু ওচৰত
থকা মহিলাসকলৰ মহা সমাজে, অৰ্থাৎ মিচৰ দেশত থকা আটাই
লোকসকলে পথ্ৰোচত যিৰিমিয়াক উত্তৰ দিলে। ১৬ তেওঁলোকে ক'লে,
"তুমি যিহোৱাৰ নামেৰে আমাক কোৱা বাক্যৰ বিষয়ে হ'লে, আমি
তোমালৈ কাণ নিদিওঁ। ১৭ কিন্তু আমি আৰু আমাৰ পূৰ্বপুৰুষসকলে
আমাৰ ৰজা আৰু প্ৰধান লোকসকলে যিহূদাৰ নগৰবোৰত আৰু
যিৰূচালেমৰ আলিত যেনেকৈ কৰিছিলোঁ, তেনেকৈ আকাশৰ ৰাণীৰ
উদ্দেশ্যে ধূপ জ্বলাবলৈ আৰু তেওঁৰ উদ্দেশ্যে পেয় নৈবেদ্য ঢালিবলৈ
আমাৰ মুখৰ পৰা ওলোৱা প্ৰত্যেক বাক্য আমি নিশ্চয়ে সিদ্ধ কৰিম;
কাৰণ সেই কালত আমাৰ আহাৰ অধিক আছিল আৰু আমি কুশলে
আছিলোঁ, কোনো অমঙ্গল নেদেখিছিলোঁ। ১৮ কিন্তু যেতিয়াৰে পৰা
আমি আকাশৰ ৰাণীৰ উদ্দেশ্যে ধূপ জ্বলাবলৈ আৰু পেয় নৈবেদ্য
ঢালিবলৈ এৰিলোঁ, তেতিয়াৰে পৰা আমাৰ আটাই বস্তুৰ অভাৱ
হ'ল আৰু তৰোৱাল ও দুৰ্ভিক্ষৰ দ্বাৰাই আমাৰ সৰ্ব্বনাশ হ'ল।" ১৯
"আমি যেতিয়া আকাশৰ ৰাণীৰ উদ্দেশ্যে ধূপ জ্বলাওঁ আৰু তেওঁৰ
উদ্দেশ্যে পেয় নৈবেদ্য ঢালোঁ, তেতিয়া জানো নিজ নিজ স্বামীৰ বিনা
অনুমতিৰে তেওঁক সেৱা-পূজা কৰিবৰ অৰ্থে আমি তেওঁৰ উদ্দেশ্যে
পিঠা বনাওঁ আৰু তেওঁৰ উদ্দেশ্যে পেয় নৈবেদ্য ঢালোঁ?" ২০ তেতিয়া
যিৰিমিয়াই সকলো লোকসকলক তেওঁক উত্তৰ দিয়া পুৰুষ মহিলা
আদি সকলো লোকসকলক এই কথা ক'লে, ২১ "যিহূদাৰ নগৰবোৰত
আৰু যিৰূচালেমৰ আলিত তোমালোকে, তোমালোকৰ পূৰ্বপুৰুষসকল,
তোমালোকৰ ৰজা, তোমালোকৰ প্ৰধান লোকসকল আৰু দেশৰ
প্ৰজাসকলে যি ধূপ দাহ কৰিছিল, সেই ধূপ দাহ জানো যিহোৱাই
সোঁৱৰণ কৰা নাই? এই সকলো তেওঁৰ মনত আছিল। ২২ এই
কাৰণে যিহোৱাই তোমালোকৰ দুষ্কৰ্মৰ কাৰণে আৰু তোমালোকে
কৰা ঘিণলগীয়া কাৰ্যৰ বাবে আৰু সহি থাকিব নোৱাৰিলে; এই হেতুকে
তোমালোকে আজি দেখাৰ দৰে তোমালোকৰ দেশ-নিবাসীশূণ্য হৈ,
ধ্বংসস্থান আৰু বিস্ময় ও শাওৰ বিষয় হ'ল। ২৩ তোমালোকে ধূপ
জ্বলালা, যিহোৱাৰ বিৰুদ্ধে পাপ কৰিলা, যিহোৱাৰ বাক্যলৈ কাণ

নিদিলা, তেওঁৰ ব্যৱস্থা, বিধি, কি সাক্ষ্য অনুসাৰে নচলিলা; এই
কাৰণে আজি দেখাৰ দৰে তোমালোকলৈ এই অমঙ্গল ঘটিল।” ২৪
তেতিয়া তাত বাজে যিৰিমিয়াই সকলো লোকসকলক আৰু সকলো
মহিলাক ক'লে, “হে মিচৰ দেশত থকা আটাই যিহূদী লোকসকল,
যিহোৱাৰ বাক্য শুনা। ২৫ ইস্রায়েলৰ ঈশ্বৰ বাহিনীসকলৰ যিহোৱাই
এই কথা কৈছে: “আমি আকাশৰ ৰাণীৰ উদ্দেশ্যে ধূপ জ্বলাবলৈ
আৰু তেওঁৰ উদ্দেশ্যে পেয় নৈবেদ্য ঢালিবলৈ আমি কৰা সঙ্কল্পবোৰ
অৱেশ্যে সিদ্ধ কৰিম, এই বুলি কৈ তোমালোকে আৰু তোমালোকৰ
মহিলাসকলে মুখেৰে কথা ক'লা আৰু হাতেৰে তাক সিদ্ধও কৰিছা;
বাৰু তোমালোকৰ সঙ্কল্প সিদ্ধ কৰা আৰু তোমালোকে তোমালোকৰ
সঙ্কল্প সাম্ফল কৰা। ২৬ এই হেতুকে হে মিচৰৰ দেশত থকা আটাই
যিহূদী লোকসকল, যিহোৱাৰ বাক্য শুনা: যিহোৱাই কৈছে, ‘চোৱা,
মই মোৰ মহান নাম লৈ শপত খাইছোঁ, যে, যিহোৱাৰ জীৱনৰ শপত
বুলি কৈ এই গোটেই মিচৰ দেশত কোনো যিহূদী লোকে মোৰ নাম
আৰু মুখত নানিবা।” ২৭ চোৱা, তেওঁলোকৰ মঙ্গলৰ বাবে নহয়, কিন্তু
অমঙ্গলৰ বাবেহে মই তেওঁলোকলৈ জাগি থাকিম; আৰু এই মিচৰ
দেশত থকা সকলো যিহূদী লোকক তৰোৱাল আৰু আকালৰ দ্বাৰাই
নিঃশেষে বিনষ্ট কৰা হ'ব। ২৮ আৰু তৰোৱালৰ পৰা ৰক্ষা পোৱা অতি
কম সংখ্যক লোকে এই মিচৰ দেশৰ পৰা যিহূদা দেশলৈ উলটি যাব;
তাতে মোৰ নে তেওঁলোকৰ, কাৰ বাক্য ৰব, এই মিচৰ দেশত প্ৰবাস
কৰিবৰ অৰ্থে ইয়াত সোমোৱা সকলো অৱশিষ্ট যিহূদী লোকসকলে
তাক জানিব। ২৯ যিহোৱাই কৈছে, তোমালোকৰ অমঙ্গলৰ কাৰণেহে
যে মোৰ বাক্য অৱশ্যে ফলিয়াব, তাক তোমালোকে জানিবৰ বাবে
মই যে এই ঠাইত তোমালোকক দণ্ড দিম তাৰ প্ৰমাণৰ অৰ্থে এয়ে
তোমালোকলৈ চিন হ'ব।' ৩০ যিহোৱাই এই কথা কৈছে: ‘চোৱা,
মই যেনেকৈ যিহূদাৰ চিদিকিয়া ৰজাক তেওঁৰ প্ৰাণ ল'বলৈ বিচাৰা
তেওঁৰ শত্ৰু বাবিলৰ ৰজা নবূখদনেচৰৰ হাতত সমৰ্পণ কৰিছিলোঁ,
তেনেকৈ মই মিচৰৰ ৰজা ফৰৌণহফ্ৰাকো তেওঁৰ প্ৰাণ ল'বলৈ বিচাৰা
শত্ৰুবোৰৰ হাতত সমৰ্পণ কৰিম'।”

**৪৫** যোচিয়াৰ পুত্ৰ যিহূদাৰ ৰজা যিহোয়াকীমৰ ৰাজত্ব কালৰ চতুৰ্থ
বছৰত, নেৰিয়াৰ পুত্ৰ বাৰুকে এইবোৰ কথা যিৰিমিয়াৰ মুখৰ পৰা পুথি
এখনত লিখা সময়ত, যিৰিমিয়া ভাববাদীয়ে তেওঁক এই কথা ক'লে,
২ “হে বাৰুক, ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাই তোমাক এইদৰে কৈছে: ৩
তুমি ক'লা, যে, ‘হায় হায়, মই সন্তাপৰ পাত্ৰ। কিয়নো যিহোৱাই মোৰ
বেদনাতে শোক লগ লগাই দিছে; মই কেঁকাই কেঁকাই ক্লান্ত হৈছোঁ,
অলপ জিৰণী নাপাওঁ।’ ৪ তুমি তেওঁক কোৱা: যিহোৱাই এই কথা
কৈছে: চোৱা, মই যি সাজিলোঁ, তাক ভাঙিম, আৰু মই যি ক'লোঁ, তাক
উঘালিম, আৰু গোটেই দেশত এনেকৈয়ে কৰিম। ৫ তেন্তে তুমি নিজৰ
বাবে মহত্ব বিচাৰিছা নে? সেইবোৰ নিবিচাৰিবা; কিয়নো, যিহোৱাই
কৈছে, মই সকলো মৰ্ত্ত্যলৈ অমঙ্গল ঘটাম; কিন্তু তুমি যি যি ঠাইলৈ
যাবা, সেই সেই ঠাইত মই তোমাক লুটদ্ৰব্যস্বৰূপে তোমাৰ প্ৰাণ দান
কৰিম’।”

**৪৬** জাতি সমূহৰ বিষয়ে যিৰিমিয়া ভাববাদীৰ ওচৰলৈ অহা যিহোৱাৰ
বাক্য। ২ মিচৰৰ বিষয়। যোচিয়াৰ পুত্ৰ যিহূদাৰ ৰজা যিহোয়াকীমৰ
ৰাজত্ব কালৰ চতুৰ্থ বছৰত বাবিলৰ ৰজা নবূখদনেচৰে পৰাজয় কৰা
ফৰাৎ নদীৰ পাৰৰ কৰ্কমীচত থকা মিচৰীয়া ৰজা ফৰৌণ নখোৰ সৈন্য-
সামন্তৰ বিষয়: ৩ তোমালোকে ঢাল আৰু ফৰ যুগুত কৰা আৰু যুদ্ধ
কৰিবৰ বাবে ওচৰ চাপা। ৪ হে অশ্বাৰোহীসকল, ঘোঁৰাবোৰ সজোঁৱা,
ঘোঁৰাত উঠা আৰু শিৰোৰক্ষক টুপী পিন্ধি, আগলৈ গৈ থিয় হোৱা,
বৰচা জকমকোওৱা, কৱচ পিন্ধা। ৫ মই কিয় এনেকুৱা দেখিছোঁ?
তেওঁলোক ব্যাকুল হৈছে, পাছ হুঁহকি গৈছে; তেওঁলোকৰ বীৰসকল
বিহ্বল হৈ বেগাই পলাইছে আৰু পাছলৈ নাচায়; যিহোৱাই কৈছে,
চাৰিওফালে ত্ৰাস। ৬ বেগী লোক পলাই যাব নোৱাৰে, বীৰ সাৰিব
নোৱাৰে; উত্তৰফালে ফৰাৎ নদীৰ পাৰত তেওঁলোকে উজুটি খাই
পৰিছে। ৭ যাৰ জল সমূহে নৈবোৰৰ দৰে আস্ফালন কৰিছে, নীল
নদীৰ দৰে বাঢ়ি অহা সৌ জন কোন? ৮ মিচৰৰ নীল নদীৰ দৰে বাঢ়ি
আহিছে, আৰু তাৰ জল সমূহে নদীবোৰৰ দৰে আস্ফালন কৰিছে। আৰু
সি কৈছে, ‘মই বাঢ়ি পৃথিৱী তল নিয়াম, নগৰ আৰু তাৰ নিবাসীসকলক

নষ্ট কৰিম।’ ৯ হে ঘোঁৰাবিলাক, উঠি যোৱা, হে ৰথবিলাক, বাতুলৰ
নিচিনাকৈ লৰি যোৱা: বীৰসকল ঢালধাৰী কুচ আৰু পূট আৰু ধনুৰ্দ্ধৰ ও
ধনুত জোঁৰ দিয়া লুদীয়া লোকসকল বাহিৰ ওলাওঁক। ১০ কিয়নো
এই দিন বাহিনীসকলৰ প্ৰভু যিহোৱাৰ দিন, তেওঁৰ শত্ৰুবোৰক
প্ৰতিফল দিবলৈ শত্ৰুৰ প্ৰতিকাৰ সধা দিন; তৰোৱালে গ্ৰাস কৰি
হেপাহ পলোৱাৰ আৰু তেওঁলোকৰ তেজ পান কৰি পৰিতৃপ্ত হ’ব;
কিয়নো উত্তৰ দেশত ফৰাৎ নদীৰ পাৰত বাহিনীসকলৰ প্ৰভু যিহোৱাৰ
এক যজ্ঞ হৈছে। ১১ হে কুমাৰী মিচৰ জীয়াৰী, তুমি গিলিয়দলৈ উঠি গৈ
সুস্থজনক গছৰ ৰস লোৱা। তুমি বৃথা অনেক ঔষধ ব্যৱহাৰ কৰিছা,
তোমাৰ কোনো সুস্থতা নাই। ১২ জাতিবোৰে তোমাৰ অপমানৰ কথা
শুনিছে, আৰু তোমাৰ চিঞৰৰ শব্দেৰে পৃথিৱী পৰিপূৰ্ণ হৈছে, কিয়নো
বীৰে বীৰত খুন্দা খাই দুয়ো একেলগে পতিত হ’ল। ১৩ বাবিলৰ ৰজা
নবূখদনেচৰে আহি মিচৰ দেশ পৰাজয় কৰিবৰ বিষয়ে যিৰিমিয়া
ভাববাদীক কোৱা যিহোৱাৰ বাক্য: ১৪ “তোমালোকে মিচৰত প্ৰচাৰ
কৰা, মিগদোলত ঘোষণা কৰা, নোফ আৰু তহপন্হেচত ঘোষণা কৰা।
তোমালোকে কোৱা, “তুমি আগলৈ গৈ থিয় হোৱা, নিজকে যুগুত কৰা;
কিয়নো তৰোৱালে তোমাৰ চাৰিওফালে গ্ৰাস কৰিছে।” ১৫ তোমাৰ
বলৱান জনক কেলেই পেলোৱা হ’ল? তেওঁ থিয় হৈ নাথাকিল; কিয়নো
যিহোৱাই তেওঁক পেলালে। ১৬ তেওঁ অনেকক উজুটি খুৱালে, এনেকি
তেওঁলোকে পৰস্পৰে পৰা-পৰি হ’ল; আৰু তেওঁলোকে ক’লে, “উঠা
আমি এই সংহাৰক তৰোৱালৰ মুখৰ পৰা নিজ জাতিৰ ওচৰলৈ আৰু
আমাৰ জন্মৰ দেশলৈ উলটি যাওঁহঁক।” ১৭ তেওঁলোকে তাত চিঞৰি
ক’লে, “মিচৰৰ ৰজা ফৰৌণৰ সৰ্ব্বনাশ হ’ল; তেওঁ উপযুক্ত সময়
বৃথা নষ্ট কৰিলে।” ১৮ বাহিনীসকলৰ যিহোৱা নামেৰে প্ৰখ্যাত ৰজাই
কৈছে, “মোৰ জীৱনৰ শপত,” “পৰ্ব্বতবোৰৰ মাজত পৰ্ব্বত তাবোৰ
যেনে, আৰু সমূদ্ৰ পাৰত থকা কৰ্মিল যেনে, নিশ্চয়ে তেওঁ তেনে হৈ
আহিব।” ১৯ হে মিচৰ নিবাসিনী জীয়াৰী, বন্দী অৱস্থালৈ যাবৰ বাবে
নিজৰ প্ৰয়োজনীয় বস্তু লোৱা; কিয়নো নোফ উচ্ছন্ন ঠাই হ’ব, দগ্ধ আৰু
নিবাসীশূণ্য হ’ব। ২০ মিচৰ অতি সুন্দৰী চেঁউৰী গৰু; কিন্তু উত্তৰ দিশৰ

পৰা এটা ডাঁহ আহিল, পালেহি। ২১ তাইৰ মাজত থকা তাইৰ বেচ
খোৱাবোৰ হৃষ্টপুষ্ট দামুৰিৰ সদৃশ; কিয়নো তেওঁলোকো বিমুখ হৈ
গৈছে। একেবাৰে পলাইছে, থিয়কেই নিদিলে; কাৰণ তেওঁলোকৰ
আপদৰ দিন, তেওঁলোকৰ দণ্ডৰ সময় তেওঁলোকৰ ওচৰত উপস্থিত।
২২ পলাই যাওঁতে, তাই যোৱা শব্দ সাপ যোৱা শব্দৰ দৰে হ'ব;
কিয়নো শত্ৰুৱে সসৈন্যে যাত্ৰা কৰি, কাঠকটীয়াৰ দৰে কুঠাৰেৰে
তাইক আক্ৰমণ কৰিব। ২৩ যিহোৱাই কৈছে, যদিও তাইৰ কাঠনি
অগম্য, তথাপি তেওঁলোকে তাক কাটি পেলাব; কিয়নো তেওঁলোক
অৰ্থাৎ শত্ৰুসকল ফৰিঙৰ জাকতকৈয়ো অধিক আৰু অসংখ্য। ২৪ মিচৰ
জীয়াৰী লজ্জিত হ'ব; তাইক উত্তৰ-দেশীয়সকলৰ হাতত সমৰ্পণ কৰা
হ'ব।" ২৫ ইস্ৰায়েলৰ ঈশ্বৰ বাহিনীসকলৰ যিহোৱাই কৈছে, "চোৱা,
মই নোত থকা আমোনক, ফৰৌণক, মিচৰক আৰু তাৰ দেৱতাবোৰক
আৰু তাৰ ৰজাসকলক, এনে কি ফৰৌণ আৰু তেওঁক ভাৰসা কৰা
সকলোকে দণ্ড দিম। ২৬ আৰু তেওঁলোকৰ প্ৰাণ বিচাৰি ফুৰাসকলৰ
হাতত, বাবিলৰ ৰজা নবূখদনেচৰৰ আৰু তেওঁৰ প্ৰধান মন্ত্ৰীসকলৰ
হাতত মই তেওঁলোকক সমপৰ্ণ কৰিম; তথাপি যিহোৱাই কৈছে, পাছত
সেই দেশ আগৰ কালৰ দৰে বসতিস্থান হ'ব। ২৭ "কিন্তু হে মোৰ দাস
যাকোব, ভয় নকৰিবা, হে ইস্ৰায়েল ব্যাকুল নহ'বা; কিয়নো চোৱা,
মই দূৰৰ পৰা তোমাক, আৰু বন্দী অৱস্থাত থকা দেশৰ পৰা তোমাৰ
বংশক নিস্তাৰ কৰিম; তাতে যাকোব ঘূৰি আহি নিৰ্ভয় আৰু নিশ্চিত হৈ
থাকিব, কোনেও তেওঁক ভয় নেদেখুৱাব। ২৮ যিহোৱাই কৈছে, হে
মোৰ দাস যাকোব, ভয় নকৰিবা; কিয়নো মই তোমাৰ লগত আছোঁ;
কাৰণ, মই যি জাতিৰ মাজলৈ তোমাক খেদিলোঁ, সেই সকলো জাতিক
মই নিঃশেষে সংহাৰ কৰিলেও, তোমাক নিঃশেষে সংহাৰ নকৰিম;
কিন্তু তোমাক সুবিচাৰেৰে শাস্তি দিম, তোমাক কোনোমতেই দণ্ড
নিদিয়াকৈ নেৰোঁ"'।"

**৪৭** ফৰৌণে গাজাক প্ৰহাৰ কৰা আগতে, পলেষ্টীয়াসকলৰ বিষয়ে
যিৰিমিয়া ভাববাদীলৈ অহা যিহোৱাৰ বাক্য। ২ "যিহোৱাই এই কথা
কৈছে: চোৱা, উত্তৰ দিশৰ পৰা জল সমূহ বাঢ়ি আহিছে, সেয়ে প্লাৱন

কৰোঁতা ধল পানী হৈ, দেশ আৰু তাত থকা সকলোকে, নগৰ আৰু
নিবাসীসকলক তল নিয়াব! তাতে লোকসকলে চিঞৰিব, আৰু দেশত
বাস কৰা সকলোৱে হাহাকাৰ কৰিব। ৩ শত্রুৰ বলী ঘোঁৰাৰ খুৰাৰ
খটখটনিত, ৰথৰ ঘৰ্ঘৰণিত, চক্ৰৰ গুমগুমনিত, পিতৃসকলৰ হাত দুখন
দুৰ্ব্বল হোৱাৰ বাবে নিজ নিজ সন্তান সকললৈ ঘূৰি নাচাব। ৪ কাৰণ
সকলো পলেষ্টীয়াসকলে বিনষ্ট কৰিবৰ দিন, তূৰ আৰু চীদোনৰ পৰা,
প্ৰত্যেক অৱশিষ্ট সহকাৰীক উচ্ছন্ন কৰিবৰ দিন আহিছে; কিয়নো
যিহোৱাই পলেষ্টীয়াসকলক, কপ্তোৰ দ্বীপৰ অৱশিষ্ট ভাগক বিনষ্ট
কৰিব। ৫ গাজাৰ মূৰ টকলা কৰা হ'ল, তেওঁলোকৰ উপত্যকাৰ
অৱশিষ্ট ভাগ অস্কিলোন নষ্ট হ'ল; তুমি কিমান কাল তোমাৰ গা
কাটকূট কৰিবা? ৬ হে যিহোৱাৰ তৰোৱাল! তুমি কিমান কাল ক্ষান্ত
নোহোৱাকৈ থাকিবা? তুমি তোমাৰ ফাকত সোমোৱা; তুমি বিশ্ৰাম কৰা
আৰু শান্ত হোৱা। ৭ যিহোৱাই তোমাক আজ্ঞা দিয়াত তুমি কেনেকৈ
ক্ষান্ত হ'ব পাৰা? তেওঁ অস্কিলোন আৰু সমুদ্ৰৰ দাঁতিৰ বিৰুদ্ধে তাক
নিযুক্ত কৰিলে।"

**৪৮** মোৱাবলৈ, ইস্ৰায়েলৰ ঈশ্বৰ, বাহিনীসকলৰ যিহোৱাই এই কথা
কৈছে: "হায় হায় নবো! কিয়নো সেয়ে উচ্ছন্ন হ'ল; কিৰিয়াথয়িমে লাজ
পালে, ধৰা পৰিল; মিচগবে লাজ পালে আৰু ব্যাকুল হ'ল। ২ মোৱাবৰ
গৌৰৱ আৰু নাই। শত্রুৱে তাৰ বিৰুদ্ধে হিচবোনত অমঙ্গলৰ মন্ত্ৰণা
কৰিছে। তেওঁলোকে কৈছে, 'আহাঁ, আমি তাক এক জাতি হোৱাৰ পৰা
উচ্ছন্ন কৰোঁহক"। হে মদমেন, তোমাকো নিস্তাৰ কৰা হ'ব; তৰোৱাল
তোমাৰ পাছে পাছে যাব।' ৩ শুনা হোৰোণয়িমত চিঞৰ-বাখৰ শুনা
গৈছে, লুট আৰু মহাসংহাৰ হৈছে। ৪ মোৱাব নষ্ট হ'ল। তাৰ সন্তান
সকলে চিঞৰৰ শব্দ শুনাইছে। ৫ কিয়নো লুহীতলৈ উঠি যোৱা বাটেদি
তেওঁলোকে ক্ৰন্দনেৰে উঠি যাব, কাৰণ হোৰোণয়িমলৈ নামি যোৱা
বাটত সংহাৰৰ দুখৰ চিঞঁৰ শুনা গৈছে। ৬ তোমালোকে পলোৱা!
নিজ নিজ প্ৰাণ ৰক্ষা কৰা, অৰণ্যত থকা ঝাও গছৰ নিচিনা হোৱা। ৭
কিয়নো তুমি তোমাৰ কাৰ্যত আৰু তোমাৰ বহুমূল্য বস্তুত নিৰ্ভৰ কৰাৰ
কাৰণে তুমিও ধৰা পৰিবা। আৰু তেতিয়া কমোচ, তাৰ পুৰোহিতসকল

আৰু তাৰ প্ৰধান লোকসকল বন্দী-অৱস্থালৈ একেলগে ওলাই যাব। ৮
প্ৰত্যেক নগৰলৈ বিনাশক আহিব আৰু কোনো নগৰ ৰক্ষা নাপাব;
যিহোৱাৰ বাক্য অনুসাৰে তলভূমি বিনষ্ট হ'ব, সমতলো বিনষ্ট হ'ব।
৯ তোমালোকে মোৱাবক আপোন বাটে উড়ি যাবৰ বাবে ডেউকা
দিয়া। তাৰ নগৰবোৰ ধ্বংস কৰা হ'ব, তাত বাস কৰোঁতা কোনো
নহ'ব। ১০ যি জনে যিহোৱাৰ কাৰ্য এলাহেৰে কৰে, তেওঁ শাপগ্ৰস্ত
হওঁক আৰু যি জনে ৰক্তপাতৰ পৰা নিজ তৰোৱাল কোঁচাই ৰাখে তেওঁ
শাপগ্ৰস্থ হওঁক। ১১ মোৱাব সৰু কালৰে পৰা নিশ্চিন্তভাৱে আছে, আৰু
সি নিজৰ গেদৰ ওপৰত সুস্থিৰে আছে, এক পাত্ৰৰ পৰা আন পাত্ৰত
ঢলা হোৱা নাই, আৰু সি বন্দী-অৱস্থালৈ যোৱাও নাই; এই কাৰণে
তাৰ সুস্বাদ তাতে আছে আৰু তাৰ দগ্ধ পৰিৱৰ্ত্তন হোৱা নাই। ১২
এই হেতুকে, যিহোৱাই কৈছে, "গতিকে চোৱা, এই দিনবোৰ আহি
আছে, যি দিনা মই ঢালিবলৈ মানুহ পঠিয়াম সেই দিন আহিছে সেই
দিনা তেওঁলোকে তাক ঢালিব, তাৰ পাত্ৰবোৰ শুদা কৰিব আৰু তাৰ
ঘটবোৰ ডোখৰ ডোখৰ কৰিব। ১৩ ইস্ৰায়েল বংশই নিজ বিশ্বাসৰ
ভূমি বৈৎএলৰ বিষয়ে লাজ পোৱাৰ দৰে মোৱাবেও কমোচৰ বিষয়ে
লাজ পাব। ১৪ 'আমি বীৰ আৰু যুদ্ধৰ বাবে পৰাক্ৰমী মানুহ, বুলি
তোমালোকে কেনেকৈ ক'ব পাৰা? ১৫ মোৱাব উচ্ছন্ন হ'ল, আৰু তাৰ
নগৰবোৰ ধুঁৱা হৈ উড়ি গ'ল আৰু তাৰ মনোনীত ডেকা লোকসকল
বধৰ ঠাইলৈ নামি গ'ল, বাহিনীসকলৰ যিহোৱা নামেৰে প্ৰখ্যাত ৰজাই
ইয়াক কৈছে। ১৬ মোৱাবৰ আপদ ওচৰ পালেহি আৰু তাৰ অমঙ্গল
অতিশয় বেগেৰে আহিছে। ১৭ মোৱাবৰ চাৰিওফালে থকা তাৰ নাম
জনা তোমালোক সকলোৱে তাৰ নিমিত্তে বিলাপ কৰি কোৱা, এই
শকত লাখুটি আৰু সুন্দৰ দণ্ডডালি কেনেৰূপে ভাগিল! ১৮ হে দীবোন-
নিবাসিনী জীয়াৰী, তুমি তোমাৰ প্ৰতাপৰ পৰা নামি তৃষ্ণাতুৰা হৈ
মাটিত বহা; কিয়নো মোৱাবৰ সংহাৰক তোমাৰ বিৰুদ্ধে উঠি আহিলে,
তেওঁ তোমাৰ দুৰ্গবোৰ বিনষ্ট কৰিলে। ১৯ হে অৰোয়েৰ-নিবাসিনী,
তুমি বাটৰ কাষত থিয় হৈ চোৱা। পলাই যোৱা লোকক আৰু ৰক্ষা
পোৱা মহিলাক কি হ'ল বুলি সোধা। ২০ মোৱাবে লাজ পালে, কিয়নো

সেই নগৰ ভগ্ন হ'ল; তোমালোকে হাহাকাৰ কৰা আৰু চিঞৰি কান্দা;
মোৱাব যে উচ্ছন্ন হ'ল, তাক অৰ্ণোনত প্ৰচাৰ কৰা। ২১ আৰু শাস্তি
আহিল সমথলৰ দেশলৈ, হোলোন, যহচা, মেফাৎ, ২২ দীবোন, নবো,
বৈৎ-দিব্লাথয়িম, ২৩ কিৰিয়াথয়িম, বৈৎ-গামূল, বৈৎ-মিয়োন, ২৪
কৰিয়োৎ আৰু বস্ৰা দূৰত কি ওচৰত থকা মোৱাবদেশীয় সকলো
নগৰৰ ওপৰলৈ দণ্ড আহিল। ২৫ যিহোৱাই কৈছে, মোৱাবৰ শিংটি কটা
হ'ল আৰু বাহু ভঙা হ'ল। ২৬ তোমালোকে তাক মতোৱাল কৰা, কাৰণ
তেওঁলোকে যিহোৱাৰ বিৰুদ্ধে গৰ্ব্ব কৰিলে আৰু মোৱাবে নিজ বঁতিওৱা
ঠাইত বাগৰিব আৰু বিদ্ৰূপৰ বিষয়ো হ'ব। ২৭ কিয়নো ইস্ৰায়েল জানো
তোমাৰ আগত বিদ্ৰূপৰ বিষয় নাছিল? তাক জানো চোৰৰ মাজত
পোৱা নগৈছিল? কাৰণ তুমি যিমানবাৰ তাৰ বিষয়ে কোৱা, সিমানবাৰ
তুমি তোমাৰ মূৰ জোকাৰা। ২৮ হে মোৱাব-নিবাসীসকল, তোমালোকে
নগৰবোৰ এৰি শিলত বাস কৰা আৰু গাতৰ মুখৰ কিনাৰত বাহ সজা
কপৌটিৰ দৰে হোৱা। ২৯ আমি মোৱাবৰ অহঙ্কাৰৰ বিষয়ে শুনিলোঁ,
যে সি বৰ গৰ্ব্বী; তাৰ অভিমান, অহংকাৰ, দৰ্প আৰু মনৰ গৰ্ব্বৰ কথা
আমি শুনিলোঁ। ৩০ যিহোৱাই কৈছে, "মই জানো; তাৰ ক্ৰোধ মিছা,
তাৰ বৰ বৰ কথা নিস্ফল। ৩১ এই কাৰণে মই মোৱাবৰ বিষয়ে
হাহাকাৰ কৰিম, এনেকি, গোটেই মোৱাবৰ বাবে চিঞৰি কান্দিম;
কীৰ-হেৰচৰ লোকসকলৰ বিষয়ে বিলাপ কৰা যাব। ৩২ হে চিবমাৰ
দ্ৰাক্ষালতা, মই যাজেৰৰ ক্ৰন্দনতকৈয়ো তোমাৰ বিষয়ে অধিক কৈ
ক্ৰন্দন কৰিম তোমাৰ ডালবোৰ সমুদ্ৰৰ সিপাৰলৈকে গৈছিল সেয়ে
যাজেৰৰ সমুদ্ৰলৈকেও ফেৰ মেলিছিল; তোমাৰ ঘামকালিৰ ফলৰ
বাবে আৰু তোমাৰ চপাবলগীয়া দ্ৰাক্ষা গুটিৰ বাবে বিনাশক আহিল।
৩৩ মোৱাব দেশৰ ফলৱতী বাৰীৰ পৰা আনন্দ আৰু হৰ্ষ দূৰ কৰা হ'ল,
আৰু "মই দ্ৰাক্ষাকুণ্ডত দ্ৰাক্ষাৰস নাইকিয়া কৰিলোঁ; কোনেও আনন্দৰ
ধ্বনিৰে নগচকিব; সেই ধ্বনি আনন্দৰ ধ্বনি নহ'ব। ৩৪ হিচবোনত
এনে চিঞঁৰ বাগৰ হৈছে, যে, তাৰ শব্দ ইলিয়ালিলৈকে আৰু যহচলৈকে
গৈছে আৰু চোৱৰৰ পৰা চিঞৰ-বাখৰৰ শব্দ হোৰোণয়িমলৈকে আৰু
ইগ্লৎ-চলিচিয়ালৈকে গৈছে; কিয়নো নিম্ৰীমৰ জল সমূহো মৰুভূমি হ'ব।

৩৫ ইয়াত বাজে, উচ্ছস্থানত উৎসৰ্গ কৰোঁতা, আৰু নিজ দেৱতাবোৰৰ
উদ্দেশ্যে ধূপ জ্বলাওঁতা লোক মোৱাবত নাইকিয়া কৰিম।” ইয়াকে
যিহোৱাই কৈছে।” ৩৬ এই কাৰণে মোৰ অন্তৰ মোৱাবৰ বাবে বাঁহীৰ
নিচিনাকৈ বাজিছে আৰু মোৰ হৃদয় কীৰ-হেৰচৰ লোকসকলৰ বাবে
বাঁহীৰ দৰে বাজিছে; কাৰণ সি অৰ্জ্জা অধিক বস্তু নষ্ট হ’ল। ৩৭
কিয়নো প্ৰত্যেকৰ মূৰ টকলা কৰা হ’ল আৰু প্ৰত্যেকৰ ডাড়ি কটা হ’ল,
সকলোৰে হাতত কাটকূট আৰু কঁকালত চট আছে। ৩৮ মোৱাবৰ
সকলো ঘৰৰ চালত, আৰু তাৰ চকবোৰৰ সকলোফালে বিলাপ
শুনা গৈছে; কিয়নো যিহোৱাই কৈছে ভাল নোপোৱা কোনো পাত্ৰৰ
নিচিনাকৈ মই মোৱাবক ভাঙি পেলালোঁ। ৩৯ “সি কেনে ভগ্ন হ’ল!
তেওঁলোকে কেনে হাহাকাৰ কৰিছে! মোৱাবে লাজতে কেনেৰূপে মুখ
ঘূৰালে! এইদৰে মোৱাব নিজৰ চাৰিওফালে থকা সকলোৰে আগত
বিদ্ৰূপৰ আৰু ত্ৰাসৰ বিষয় হ’ব।” ৪০ কিয়নো যিহোৱাই এইদৰে
কৈছে, “চোৱা, তেওঁ কুৰৰ পখীৰ দৰে উড়ি আহি, মোৱাবৰ বিৰুদ্ধে
নিজ ডেউকা মেলিব। ৪১ কৰিয়োতক হাত কৰি লোৱা হ’ল, দুৰ্গবোৰ
হঠাৎ আক্ৰমণ কৰা হ’ল; আৰু মোৱাবৰ বীৰসকলৰ হৃদয় সেইদিনা
প্ৰসৱ বেদনা পোৱা মহিলাৰ হৃদয়ৰ দৰে হ’ব। ৪২ মোৱাবে যিহোৱাৰ
বিৰুদ্ধে অভিমান কৰাৰ বাবে, সি এটি জাতি হোৱাৰ পৰা উচ্ছন্ন
হ’ব। ৪৩ যিহোৱাই কৈছে, হে মোৱাব নিবাসী লোক, তোমাৰ বাবে
আপদ, গাত আৰু ফান্দ নিৰূপিত আছে।” ৪৪ “যি কোনোৱে সেই
আপদৰ পৰা পলাব, তেওঁ সেই গাতত পৰিব আৰু যি কোনোৱে সেই
গাতৰ পৰা উঠিব, তেওঁ সেই ফান্দত ধৰা পৰিব; কিয়নো যিহোৱাই
কৈছে, মই তেওঁৰ ওপৰত, মোৱাবৰেই ওপৰত প্ৰতিফল দিয়াৰ বছৰ
আনিম।” ৪৫ পলৰীয়াসকল হিচবোনৰ ছাঁত শক্তিবিহীন হৈ থিয় দি
আছে; কাৰণ হিচবোনৰ পৰা অগ্নি আৰু চীহোনৰ মাজৰ পৰা জুইৰ
শিখা ওলাই মোৱাবৰ ডাড়িৰ কাষ আৰু কোলাহলকাৰীসকলৰ তালু
টকলা কৰিলে। ৪৬ হায় হায় মোৱাব! কমোচৰ প্ৰজাসকলৰ সৰ্ব্বনাশ
হ’ল, কাৰণ তোমাৰ পুত্ৰসকলক বন্দী কৰি নিয়া হ’ল; আৰু তোমাৰ
জীয়ৰিসকলক বন্দী অৱস্থালৈ নিয়া হ’ল। ৪৭ তথাপি, যিহোৱাই কৈছে,

“মই শেষকালত মোৱাবৰ বন্দী অৱস্থা পৰিবৰ্ত্তন কৰিম।” মোৱাবৰ
দণ্ড ইমানলৈকে।

৪৯ অম্মোনৰ সন্তানসকলৰ বিষয়। যিহোৱাই এই কথা কৈছে,
ইস্রায়েলৰ জানো পুত্ৰ নাই? তেওঁৰ উত্তৰাধিকাৰী জানো কোনো নাই?
তেন্তে মিল্কমৰ মূৰ্তিৰ পূজা কৰাসকলে কিয় গাদক অধিকাৰ কৰিছে?
আৰু তাৰ প্ৰজাবিলাকে কিয় গাদৰ নগৰবোৰত বাস কৰিছে? ২ এই
নিমিত্তে, যিহোৱাই কৈছে, চোৱা, যিদিনা মই অম্মোনৰ সন্তানসকলৰ
ৰব্বাৰ বিৰুদ্ধে যুদ্ধৰ ধ্বনি শুনাম, এনে দিন আহিছে; সেয়ে ভগ্নৰাশি
হ’ব, আৰু তাৰ উপনগৰবোৰ জুইৰে পোৰা যাব; তেতিয়া যিহোৱাই
কৈছে, ইস্রায়েলক অধিকাৰ কৰা-বিলাকক ইস্রায়েলে অধিকাৰ কৰিব।
৩ হে হিচবোন, হাহাকাৰ কৰা, কিয়নো অয়ক বিনষ্ট কৰা হ’ল; হে ৰব্বাৰ
জীয়াৰীবিলাক, চিঞৰি কান্দা, চট পিন্ধা, বিলাপ কৰি গড়ৰ কাষে কাষে
ইফালে সিফালে লৰি ফুৰা; কিয়নো মিল্কম, তাৰ পুৰোহিতবিলাক,
আৰু তাৰ প্ৰধান লোক-বিলাক একেলগে বন্দী অৱস্থালৈ যাব। ৪ মোৰ
ওচৰলৈ কোন আহিব পাৰে বুলি কৈ নিজ ধনত ভাৰসা কৰোঁতা হে
বিপথগামিনী জীয়াৰী, তোমাৰ উপত্যকাবোৰত, তোমাৰ ৰক্তপ্ৰবাহী
উপত্যকাটিত কিয় গৌৰৱ কৰিছা? ৫ বাহিনীসকলৰ প্ৰভু যিহোৱাই
কৈছে চোৱা, মই তোমাৰ চাৰিওফালে থকা আটাইৰে পৰা তোমালৈ
ভয় উপস্থিত কৰিম; তোমালোক প্ৰতিজনক পোনে পোনে খেদাই দিয়া
হ’ব আৰু পলৰীয়াক গোটাবলৈ কোনো নহ’ব। ৬ কিন্তু, যিহোৱাই
কৈছে, পাছত মই অম্মোনৰ সন্তানসকলৰ বন্দী অৱস্থা পৰিবৰ্ত্তন
কৰিম। ৭ ইদোমৰ বিষয়। বাহিনীসকলৰ যিহোৱাই এই কথা কৈছে,
তৈমনত জানো আৰু জ্ঞান নাই? বুদ্ধিয়কবিলাকৰ পৰা জানো পৰামৰ্শ
লোপ পালে? তেওঁবিলাকৰ জ্ঞান জানো নাইকিয়া হ’ল? ৮ হে দদান-
নিবাসীবিলাক, তোমালোক পলোৱা মুখ ঘূৰাই গভীৰ ঠাইত সোমাই
বাস কৰা; কিয়নো মই এচৌৰ ওপৰলৈ তাৰ আপদ আৰু দণ্ড তাক
দিয়াৰ সময় আনিম। ৯ তোমাৰ ওচৰলৈ দ্ৰাক্ষাগুটি চপাওঁতাবিলাক
আহিলে, সিহঁতে কিছু দ্ৰাক্ষাগুটি অৱশিষ্ট নাৰাখিব নে? ৰাতি চোৰ
আহিলে, সিহঁতে প্ৰয়োজন মতে চুৰ কৰি ক্ষান্ত নহ’ব নে? ১০ কিন্তু

মই হ'লে এচৌক শূণ্য কৰিলোঁ আৰু তাৰ গোপনীয় ঠাইবোৰ মুকলি
কৰিলোঁ, সি লুকাই থাকিব নোৱাৰিব; তাৰ বংশ, ভায়েকবিলাক আৰু
ওচৰ-চুবুৰীয়াৰ বিনষ্ট হ'ল, আৰু সি লোপ পালে। ১১ তোমাৰ পিতৃহীন
সন্তানসকলক এৰা, ময়েই সিহঁতক জীয়াই ৰাখিম; আৰু তোমাৰ
বিধৱাবিলাকে মোত ভাৰসা কৰক। ১২ কিয়নো যিহোৱাই এই কথা
কৈছে, চোৱা, পাত্ৰত পান কৰা যিবিলাকৰ স্বত্ব নাই, তেওঁবিলাকেই
অৱশ্যে পান কৰিব; তেন্তে তুমি জানো সমূলি দণ্ড পাব নলগা লোক?
তুমি দণ্ড নোপোৱাকৈ নাথাকিবা, তুমি অৱশ্যে পান কৰিবা। ১৩
কিয়নো যিহোৱাই কৈছে, মই মোৰ নাম লৈ এই শপত খাই কৈছোঁ
যে, বস্ৰা আচৰিতৰ, ধিক্কাৰৰ, ধ্বংসৰ আৰু শাওৰ বিষয় হ'ব, আৰু
তাৰ আটাই নগৰ চিৰকলীয়া ধ্বংসস্থান হ'ব। ১৪ মই যিহোৱাৰ
পৰা বাৰ্ত্তা শুনিলোঁ, আৰু জাতিবিলাকৰ মাজলৈ এজন দূত পঠোৱা
হ'ল, "তোমালোকে একেলগে গোট খাই তাৰ বিৰুদ্ধে যাত্ৰা কৰা,
আৰু যুদ্ধ কৰিবৰ অৰ্থে উঠা"। ১৫ কিয়নো, চোৱা, মই তোমাক
জাতিবিলাকৰ মাজত সৰু, আৰু মানুহৰ মাজত নীহ কৰিলোঁ। ১৬ হে
শিলৰ খোৰোঙত বাস কৰা জন, হে পৰ্ব্বতৰ উচ্চস্থানত থকা জন,
তোমাৰ ভয়ানকতাৰ বিষয়ে হ'লে, তোমাৰ মনৰ অহঙ্কাৰে তোমাক
প্ৰবঞ্চনা কৰিলে; যিহোৱাই কৈছে, তুমি কুৰৰ পখীৰ নিচিনাকৈ ওখত
তোমাৰ বাহ সাজিলেও, মই তাৰ পৰা তোমাক নমাই আনিম। ১৭
ইদোম বিস্ময়ৰ বিষয় হ'ব; তাৰ ওচৰেদি অহা-যোৱা কৰা প্ৰতিজনে
বিস্ময় মানিব আৰু তালৈ ঘটা আটাই উৎপাত দেখি ইচ ইচ কৰিব।
১৮ যিহোৱাই কৈছে, চদোম, ঘমোৰা, আৰু তাৰ ওচৰৰ নগৰ কেইখন
নষ্ট হোৱাৰ সময়ৰ নিচিনাকৈ কোনো মানুহে তাত বাস নকৰিব,
কোনো মানুষ্য-সন্তানে তাৰ মাজত প্ৰবাস নকৰিব। ১৯ চোৱা, যৰ্দ্দনৰ
শোভাস্থানৰ পৰা সিংহ উঠি অহাৰ নিচিনাকৈ তেওঁ চিৰস্থায়ী চৰণীয়া
ঠাইৰ বিৰুদ্ধে আহিব; কিন্তু মই চকুৰ পচাৰতে তেওঁক তাৰ পৰা
লৰুৱাম আৰু মই তাৰ ওপৰত মোৰ মনোনীত জনক নিযুক্ত কৰিম;
কাৰণ মোৰ নিচিনা কোন আছে? আৰু মোৰ নিমিত্তে কোনে সময়
নিৰূপণ কৰিব? আৰু মোৰ আগত তিষ্ঠিব পৰা কোন ৰখীয়া আছে?

২০ এই হেতুকে, যিহোৱাই ইদোমৰ বিৰুদ্ধে কৰা মন্ত্ৰণা, আৰু তৈমন-
নিবাসীবিলাকৰ অহিতে কৰা অভিপ্ৰায়বোৰ তোমালোকে শুনা; অৱশ্যে
জাকৰ সৰুবোৰেও সিহঁতক টানি লৈ যাব, অৱশ্যে সিহঁতৰ চৰণীয়া
ঠায়ে সিহঁতৰ বিষয়ে বিস্ময় মানিব। ২১ সিহঁতৰ পতনৰ শব্দত পৃথিৱী
কঁপিছে; সিহঁতৰ চিঞৰৰ শব্দ চূফ সাগৰলৈকে শুনা গৈছে। ২২
চোৱা, তেওঁ কুৰৰ পখীৰ নিচিনাকৈ উড়ি আহিব, আৰু বস্ৰাৰ অহিতে
নিজ ডেউকা মেলিব, আৰু সেই দিনা ইদোমৰ বীৰবিলাকৰ হৃদয়
প্ৰসৱবেদনা পোৱা তিৰোতাৰ হৃদয়ৰ নিচিনা হ'ব। ২৩ দম্মেচকৰ
বিষয়। হমাৎ আৰু অৰ্পদে লাজ পালে; কিয়নো সিহঁতে অমঙ্গলৰ বাৰ্ত্তা
শুনি দ্ৰৱ হৈ গৈছে; সাগৰ খনত শোক দেখা গৈছে, সেয়ে স্থিৰ হ'ব
নোৱাৰে। ২৪ দম্মেচক দুৰ্ব্বল হৈ পৰিল, সি পলাবলৈ ঘূৰিল আৰু
কম্পনে তাক ধৰিলে, প্ৰসৱকাৰিনী তিৰোতাৰ নিচিনাকৈ যাতনা আৰু
বেদনাই তাক আক্ৰমণ কৰিলে। ২৫ প্ৰশংসাৰ নগৰ, মোৰ আনন্দৰ
নগৰ কিয় পৰিত্যক্ত নহ'ল? ২৬ এতেকে, বাহিনীসকলৰ যিহোৱাই
কৈছে, তাৰ ডেকাবিলাক তাৰ চকবোৰত পতিত হ'ব, আৰু আটাই
যুদ্ধাৰুবিলাকক সেই দিনা নিস্তব্ধ কৰা হ'ব। ২৭ আৰু মই দম্মেচকৰ
গড়ৰ ভিতৰত জুই লগাম; সেয়ে বিন-হদদৰ অট্টালিকাবোৰ গ্ৰাস
কৰিব। ২৮ বাবিলৰ ৰজা নবূখদনেচৰে প্ৰহাৰ কৰা কেদৰৰ আৰু
হাচোৰীয়া ৰাজ্যবোৰৰ বিষয়। যিহোৱাই এই কথা কৈছে, তোমালোকে
উঠি কেদৰলৈ যোৱা, আৰু পূৱদেশীয় সন্তানসকলক বিনষ্ট কৰা। ২৯
শত্ৰুৱে সিহঁতৰ তম্বু আৰু পশুৰ জাকবোৰ লৈ যাব, আৰু সিহঁতৰ আঁৰ
কাপোৰ আদি আটাই বস্তু আৰু উটবোৰ নিজৰ নিমিত্তে নিব, আৰু
সিহঁতে শত্ৰুৰ কাৰণে চিঞৰিব, সকলো ফালে ত্ৰাস। ৩০ যিহোৱাই
কৈছে, হে হাচোৰনিবাসীবিলাক, পলোৱা, দূৰলৈ ভ্ৰমণ কৰি গভীৰ
ঠাইত বাস কৰা; কিয়নো বাবিলৰ ৰজা নবূখদনেচৰে তোমালোকৰ
অহিতে মন্ত্ৰণা কৰিলে, আৰু তোমালোকৰ অহিতে কল্পনা স্থিৰ কৰিলে।
৩১ যিহোৱাই কৈছে, তোমালোক উঠা, নিৰ্ভয়ে আৰু নিশ্চিন্তে বাস কৰা,
আৰু দুৱাৰ কি ডাং নথকা অকলেই বাস কৰা এটি জাতিৰ বিৰুদ্ধে
তোমালোকে যাত্ৰা কৰা। ৩২ সিহঁতৰ উটবোৰ চিকাৰৰ বস্তু যেন হ'ব,

আৰু সিহঁতৰ পশুসমূহ লুট দ্ৰব্য হ’ব। আৰু কুমৰ গুৰিত ডাঢ়ি-চুলি কটা
আটাইবোৰকে মই সকলো ফালে বায়ুত উড়ুৱাই দিম; আৰু যিহোৱাই
কৈছে, মই সিহঁতৰ সকলো ফালৰ পৰা সিহঁতলৈ আপদ আনিম। ৩৩
হাচোৰ শিয়ালৰ বাসস্থান, চিৰকলীয়া ধ্বংস স্থান হ’ব; তাত কোনো
মানুহ নাথাকিব, নাইবা কোনো মনুষ্য-সন্তানে তাৰ মাজত প্ৰবাস
নকৰিব। ৩৪ যিহূদাৰ ৰজা চিদিকিয়াৰ ৰাজত্বৰ আৰম্ভণত এলমৰ
বিষয়ে যিৰিমিয়া ভাববাদীলৈ অহা যিহোৱাৰ বাক্য। ৩৫ বাহিনীসকলৰ
যিহোৱাই এই কথা কৈছে, চোৱা, মই শক্তিৰ প্ৰধান অস্ত্ৰ এলমৰ ধনু
ভাঙি পেলাম। ৩৬ আৰু আকাশৰ চাৰি দিশৰ পৰা চাৰি বায়ু মই
এলমৰ ওপৰলৈ বলোৱাম, আৰু সেই সকলো বায়ুত মই সিহঁতক
উড়ুৱাই দিম; দূৰীকৃত এলমীয়াবিলাক যি জাতিৰ ওচৰলৈ নাযাব,
এনে কোনো জাতি নহ’ব। ৩৭ আৰু এলমৰ শক্ৰবোৰৰ আগত, আৰু
সিহঁতৰ প্ৰাণ বিচৰাবোৰৰ আগত মই সিহঁতক ব্যাকুল কৰিম; আৰু
যিহোৱাই কৈছে মই সিহঁতৰ ওপৰলৈ অমঙ্গল, এনেকি মোৰ প্ৰচণ্ড
ক্ৰোধ উপস্থিত কৰিম; আৰু সিহঁতক সংহাৰ নকৰালৈকে সিহঁতৰ
পাছে পাছে মই তৰোৱাল পঠাম। ৩৮ যিহোৱাই আৰু কৈছে, মই
এলমত নিজ সিংহাসন স্থাপন কৰিম, আৰু তাৰ পৰা দণ্ডাজ্ঞা দি, ৰজা
আৰু প্ৰধান লোকবিলাকক উচ্ছন্ন কৰিম। ৩৯ কিন্তু, যিহোৱাই কৈছে,
শেষকালত মই এলমৰ বন্দী অৱস্থা পৰিবৰ্ত্তন কৰিম।

**৫০** যিৰিমিয়া ভাববাদীৰ দ্বাৰাই বাবিলৰ বিষয়ে আৰু বাবিলৰ
লোকসকলৰ বিষয়ে যিহোৱাই কোৱা বাক্য। ২ তোমালোকে
জাতিবিলাকৰ মাজত প্ৰচাৰ কৰা, ঘোষণা কৰা আৰু ধ্বজা তোলা;
গুপুতে নাৰাখিবা; কোৱা, “বাবিল হাত কৰি লোৱা হ’ল, বেলে লাজ
পালে, মৰোদক ব্যাকুল হ’ল; তাৰ মুৰ্ত্তিবোৰে লাজ পালে, তাৰ
প্ৰতিমাবোৰ ব্যাকুল হ’ল”। ৩ কিয়নো তাৰ বিৰুদ্ধে উত্তৰৰ পৰা
এক জাতি আহিছে; সেই জাতিয়ে তাৰ দেশ ধ্বংস কৰিব তাত
কোনেও বাস নকৰিব; সিহঁত পলাল মানুহ আৰু পশু সকলো গ’ল। ৪
যিহোৱাই কৈছে, সেই দিনত আৰু সেই কালত ইস্ৰায়েলৰ সন্তানসকল
আৰু যিহূদাৰ সন্তানসকল একে লগ হৈ আহিব আৰু ক্ৰন্দন কৰি

কৰি গমন কৰি তেওঁবিলাকৰ ঈশ্বৰ যিহোৱাৰ বিচাৰ কৰিব। ৫
তেওঁবিলাকে এই ফাললৈ মুখ কৰি চিয়োনৰ বিষয়ে সুধিব আৰু
ক'ব যে আহা, আমি পাহৰিব নোৱাৰা চিৰকলীয়া এটি নিয়মেৰে
যিহোৱাত আসক্ত হওঁ। ৬ মোৰ প্ৰজাবিলাক হেৰোৱা মেৰ-ছাগ স্বৰূপ
হ'ল; তেওঁবিলাকৰ ৰখীয়াবিলাকে তেওঁবিলাকক বিপথগামী কৰিলে,
পৰ্ব্বতবোৰত তেওঁবিলাকৰ বাট হেৰুৱালে; তেওঁবিলাক এক পৰ্ব্বতৰ
পৰা আন পৰ্ব্বতলৈ গ'ল, তেওঁবিলাকে নিজৰ শোৱা ঠাই পাহৰিলে।
৭ তেওঁবিলাকক পোৱা সকলোৱে তেওঁবিলাকক গ্ৰাস কৰিলে, আৰু
তেওঁবিলাকৰ শত্ৰুবোৰে ক'লে, আমি দোষ কৰা নাই, কাৰণ সিহঁতে
ধৰ্মনিবাস যিহোৱাৰ, সিহঁতৰ পূৰ্বপুৰুষসকলৰ বিশ্বাস ভূমি যিহোৱাৰেই
বিৰুদ্ধে পাপ কৰিলে। ৮ তোমালোক বাবিলৰ মাজৰ পৰা পলোৱা,
কলদীয়াহঁতৰ দেশৰ পৰা ওলাই যোৱা, আৰু জাকৰ আগে আগে
যাওঁতা মতা ছাগবোৰৰ নিচিনা হোৱা। ৯ কিয়নো চোৱা, মই উত্তৰ
দেশৰ পৰা বাবিলৰ অহিতে মহা জাতিবোৰৰ এক লোক সমূহক
উচটাই আনিম, আৰু সিহঁতে তাৰ বিৰুদ্ধে বেহু পাতিব, তাতে তাক
হাত কৰি লোৱা যাব; সিহঁতৰ কাঁড়বোৰ, বিফলে উলটি নহা নিপুন
বীৰৰ কাঁড়বোৰৰ নিচিনা হ'ব। ১০ কলদীয়া দেশ লুট দ্ৰব্য হ'ব,
যিহোৱাই কৈছে, তাৰ লুটকাৰী আটাইবোৰ পৰিতৃপ্ত হ'ব। ১১ হে
মোৰ লোকসকলৰ আধিপত্য অপহৰণ কৰোঁতাবিলাক, তহঁতে আনন্দ
কৰিছ, উল্লাস কৰিছ, শস্য মাৰোঁতা এজনী চেঁউৰী গৰুৰ নিচিনাকৈ
দেও দিছ, আৰু বলী ঘোঁৰাৰ নিচিনাকৈ ঢেকঢেকাইছ। ১২ এতেকে,
তহঁতৰ মাৰে অত্যন্ত লাজ পাব। তহঁতৰ জননী ব্যাকুল হ'ব, দেখ,
তাই জাতিবিলাকৰ মাজত সকলোতকৈ পাছ হ'ব, অৰণ্য শুকান ভূমি
আৰু মৰুভূমি হ'ব। ১৩ যিহোৱাৰ ক্ৰোধৰ কাৰণে এই দেশ বসতিস্থান
নহ'ব, কিন্তু সম্পূৰ্ণ উচ্ছন্ন ঠাই হ'ব; বাবিলৰ ওচৰেদি যোৱা প্ৰতিজনে
আচৰিত হৈ তাৰ ঘটাৰ আটাই উৎপাত দেখি ইচ ইচ কৰিব। ১৪
ধনু ভিৰাওঁতা তোমালোক আটায়ে বাবিলৰ অহিতে চাৰিওফালে বেহুঁ
পাতা; তোমালোকে তালৈ কাঁড় মাৰা, এটি কাঁড়ো বাকী নাৰাখিবা;
কিয়নো সি যিহোৱাৰ বিৰুদ্ধে পাপ কৰিলে। ১৫ চাৰিওফালে তাৰ

বিৰুদ্ধে জয়-ধ্বনি কৰা; সি হাত যোৰ কৰিছে, তাৰ কোঁঠবোৰ পৰি
গ'ল, তাৰ গড়বোৰ ভাঙি পেলোৱা হ'ল; কিয়নো এয়ে যিহোৱাই সধা
প্ৰতিকাৰ; তোমালোকে তাৰ প্ৰতিকাৰ সধা, সি কৰা নিচিনাকৈ তাক
কৰা। ১৬ বাবিলৰ পৰা কঠীয়া সিচোঁতাক আৰু শস্যৰ সময়ত কাঁচি
ধৰোঁতাক উচ্ছন্ন কৰা; সংহাৰক তৰোৱালৰ ভয়ত সিহঁত প্ৰতিজনে
নিজ নিজ জাতিলৈ মুখ কৰিব, আৰু প্ৰতিজনে নিজ নিজ দেশলৈ পলাই
যাব। ১৭ ইস্ৰায়েল ছিন্ন-ভিন্ন মেৰস্বৰূপ; সিংহবোৰে তাক খেদি দিলে;
প্ৰথমে অচূৰৰ ৰজাই তাক গ্ৰাস কৰিলে আৰু শেষত বাবিলৰ ৰজা এই
নবূখদনেচৰে তাৰ হাড়বোৰ ভাঙিলে। ১৮ এই হেতুকে ইস্ৰায়েলৰ
ঈশ্বৰ বাহিনীসকলৰ যিহোৱাই এই কথা কৈছে, চোৱা, মই অচূৰৰ
ৰজাক দণ্ড দিয়াৰ নিচিনাকৈ বাবিলৰ ৰজাক আৰু তেওঁৰ দেশকো
দণ্ড দিম। ১৯ আৰু মই ইস্ৰায়েলক মোৰ চৰণীয়া ঠাইলৈ ওলোটাই
আনিম; তাতে সি কৰ্ম্মিল আৰু বাচানত চৰিব, ইফ্ৰয়িম পৰ্ব্বতত আৰু
গিলিয়দত তাৰ প্ৰাণ তৃপ্ত হ'ব। ২০ যিহোৱাই কৈছে, সেই দিনত
আৰু সেই কালত ইস্ৰায়েলৰ অপৰাধ বিচাৰ কৰা যাব, কিন্তু একো
পোৱা নাযাব, আৰু যিহূদাৰ পাপবোৰ বিচাৰ কৰা হ'ব, কিন্তু সেইবোৰ
পোৱা নাযাব; কিয়নো মই অৱশিষ্ট ৰখাবোৰক ক্ষমা কৰিম। ২১ তুমি
মৰাথয়িম দেশৰ বিৰুদ্ধে আৰু পকোদ নিবাসীবিলাকৰ অহিতে যাত্ৰা
কৰা; যিহোৱাই কৈছে, তুমি সিহঁতৰ পাছে পাছে গৈ সিহঁতক বধ
কৰি নিঃশেষে বিনষ্ট কৰা, আৰু মই তোমাক দিয়া সকলো আদেশ
অনুসাৰে কাৰ্য কৰা। ২২ দেশত ৰণৰ আৰু মহাসংহাৰৰ শব্দ শুনা
গৈছে। ২৩ গোটেই পৃথিৱীৰ হাতুৰীতোঁ কগগেনে চিন্ন আৰু ভগ্ন হ'ল।
জাতিবিলাকৰ মাজত বাবিল কেনে ধ্বংসস্থান হ'ল। ২৪ হে বাবিল
মই তোমাৰ নিমিত্তে ফান্দ পাতিলোঁ, তুমি নজনাকৈ তাত লাগিলা;
তুমি যিহোৱাৰ বিৰুদ্ধে বিবাদ কৰাৰ কাৰণে তোমাক পোৱা গ'ল, আৰু
ধৰাও পৰিলা। ২৫ যিহোৱাই নিজ অস্ত্ৰৰ ভঁড়াল মেলি নিজৰ ক্ৰোধৰ
অস্ত্ৰবোৰ উলিয়াই আনিলে; কিয়নো কলদীয়াবিলাকৰ দেশত প্ৰভুৰ
বাহিনীসকলৰ যিহোৱৰ কৰিবলৈ এটা কাৰ্য আছে। ২৬ তোমালোকে
শেষ সীমাৰ পৰা তাৰ বিৰুদ্ধে আহা, তাৰ শস্যৰ ভঁড়ালবোৰ মেলা;

শস্যৰাশিৰ নিচিনাকৈ তাক দ'ম কৰা, আৰু তাক নিঃশেষে বিনষ্ট
কৰা, তাৰ একোকে থাকিব নিদিবা। ২৭ তাৰ সকলো ভতৰাক বধ
কৰা; সিহঁত বধ কৰা ঠাইলৈ নামি যাওক; হায় হায়! সিহঁতৰ দিন,
সিহঁতৰ দণ্ডৰ সময় আহিল। ২৮ শুনা, সেইয়া বাবিল দেশৰ পৰা
পলোৱা আৰু ৰক্ষা পোৱাবিলাকৰ মাত; আমাৰ ঈশ্বৰ যিহোৱাই সধা
প্ৰতিকাৰ, তেওঁৰ মন্দিৰৰ অৰ্থে সধা প্ৰতিকাৰ সিবিলাকে চিয়োনত
প্ৰকাশ কৰিছে। ২৯ তোমালোকে বাবিলৰ বিৰুদ্ধে ধনুৰ্দ্ধৰ বিলাকক,
ধনু ভিৰাওঁতা আটাইকে মাতা, চাৰিওফালে তাৰ বিৰুদ্ধে ছাউনি পাতা,
সিহঁতৰ কাকো সাৰি যাব নিদিবা, তাৰ কাৰ্য অনুসাৰে তাক প্ৰতিফল
দিয়া, সি কৰা সকলো কাৰ্য অনুসাৰে তালৈ কৰা; কিয়নো সি যিহোৱাৰ
বিৰুদ্ধে, ইস্ৰায়েলৰ পবিত্ৰ ঈশ্বৰ জনাৰ বিৰুদ্ধে গৰ্ব্ব কৰিলে। ৩০ এই
নিমিত্তে, যিহোৱাই কৈছে তাৰ ডেকাবিলাক তাৰ চকবোৰত পতিত
হ'ব, আৰু তাৰ আটাই যুদ্ধাৰুবিলাকক সেই দিনা নিস্তব্ধ কৰা হ'ব।
৩১ বাহিনীসকলৰ প্ৰভু যিহোৱাই কৈছে, হে গৰ্ব্বী, দেখ, মই তোৰ
বিপক্ষ; কিয়নো তোৰ দিন, মই তোক দণ্ড দিয়াৰ সময় আহিল।
৩২ আৰু গৰ্ব্বী জন উজুটি খাই পতিত হ'ব, কোনেও তাক নুতুলিব;
আৰু মই তাৰ নগৰবোৰত জুই লগাম, আৰু সেয়ে তাৰ চাৰিওফালে
থকা সকলোকে গ্ৰাস কৰিব। ৩৩ বাহিনীসকলৰ যিহোৱাই এই কথা
কৈছে, ইস্ৰায়েল আৰু যিহূদাৰ সন্তান-বিলাকে একেলগে উপদ্ৰৱ
পাইছে আৰু তেওঁবিলাকক বন্দী কৰি লোৱা সকলোৱে তেওঁবিলাকক
দৃঢ়কৈ ধৰিছে, এৰি দিবলৈ অসন্মত। ৩৪ তেওঁবিলাকৰ মুক্তিদাতা
বলৱান, তেওঁৰ নাম বাহিনীসকলৰ যিহোৱা; তেওঁ পৃথিৱীক বিশ্ৰাম
দিবৰ নিমিত্তে আৰু বাবিল নিবাসীবিলাকক অস্থিৰ কৰিবৰ নিমিত্তে
তেওঁবিলাকৰ অভিযোগ সম্পূৰ্ণকৈ প্ৰতিবাদ কৰিব। ৩৫ যিহোৱাই
কৈছে, কলদীয়াবিলাকৰ আৰু বাবিল-নিবাসীবিলাকৰ ওপৰত আৰু
তাৰ প্ৰধান জ্ঞানী লোকবিলাকৰ ওপৰত তৰোৱাল আছে। ৩৬ বৰ বৰ
কথা কওঁতাবোৰৰ ওপৰত তৰোৱাল আছে আৰু সিহঁত হতবুদ্ধি হ'ব;
তাৰ বীৰ বিলাকৰ ওপৰত তৰোৱাল আছে আৰু সিবিলাক ব্যাকুল হ'ব।
৩৭ সিহঁতৰ ঘোঁৰা ৰথ, আৰু তাৰ মাজত থকা আটাই মিহলি লোকৰ

ওপৰত তৰোৱাল আছে আৰু সিহঁত তিৰোতাৰ নিচিনা হ’ব; তাৰ
বহুমূল্য বস্তুবোৰৰ ওপৰত তৰোৱাল আছে, আৰু সেইবোৰক লুট কৰা
হ’ব। ৩৮ তাৰ জল সমূহৰ ওপৰত খৰ আছে আৰু সেইবোৰ শুকাব;
কিয়নো সেয়ে কটা-প্ৰতিমাৰ দেশ আৰু তাৰ লোকবিলাক মুৰ্ত্তিত
বলীয়া। ৩৯ এই নিমিত্তে অৰণ্যৰ বনৰীয়া জন্তুবোৰে ৰাংকুকুৰবোৰে
সৈতে তাত বাস কৰিব আৰু উট পক্ষীবোৰে তাত বাস কৰিব আৰু
সেয়ে চিৰকালৰ নিমিত্তে আৰু বাসস্থান নহ’ব বা পুৰুষানুক্ৰমে কোনেও
তাত বাস নকৰিব। ৪০ যিহোৱাই কৈছে, ঈশ্বৰে চদোম, ঘমোৰা, আৰু
তাৰ ওচৰত থকা নগৰবোৰ ধ্বংস কৰা সময়ৰ নিচিনাকৈ কোনো
মানুহে সেই ঠাইত বাস নকৰিব আৰু কোনো মনুষ্য-সন্তানে তাৰ
মাজত প্ৰবাস নকৰিব। ৪১ চোৱা, উত্তৰৰ পৰা এক জাতি আহিছে,
পৃথিৱীৰ অন্তভাগৰ পৰা এক মহাজাতি আৰু অনেক ৰজা উত্তেজিত
হৈছে। ৪২ সিহঁতে ধনু আৰু বৰছা ধৰে, সিহঁত নিষ্ঠুৰ আৰু দয়াহীন;
সিহঁতৰ শব্দ সমুদ্ৰৰ গৰ্জ্জনৰ নিচিনা আৰু সিহঁত ঘোঁৰাত উঠে; হে
বাবিল-জীয়াৰী, তোমাৰ বিৰুদ্ধে সিহঁত প্ৰতিজনে যুদ্ধাৰুৰ নিচিনাকৈ
সাজু হৈ আছে। ৪৩ বাবিলৰ ৰজাই সিহঁতৰ যশস্যা শুনিছে, তাতে
তেওঁৰ হাত দুৰ্ব্বল হ’ল; যাতনাই, প্ৰসৱকাৰিণীৰ বেদনাৰ নিচিনা
বেদনাই তেওঁক ধৰিছে। ৪৪ চোৱা, যৰ্দ্দনৰ শোভাস্থানৰ পৰা সিংহ
উঠি অহাৰ নিচিনাকৈ তেওঁ চিৰস্থায়ী চৰণীয়া ঠাইৰ বিৰুদ্ধে আহিব;
কিন্তু, মই চকুৰ প্ৰচাৰতে সিহঁতক তাৰ পৰা লৰুৱাম, আৰু মই তাৰ
ওপৰত মোৰ মনোনীত জনক নিযুক্তি কৰিম; কাৰণ মোৰ নিচিনা
কোন আছে? আৰু মোৰ নিমিত্তে কোনে সময় নিৰূপণ কৰিব? আৰু
মোৰ আগত তিষ্ঠিব পৰা কোন ৰখীয়া আছে? ৪৫ এই হেতুকে,
যিহোৱাই বাবিলৰ বিৰুদ্ধে কৰা মন্ত্ৰণা, আৰু কলদীয়া দেশৰ অহিতে
কৰা অভিপ্ৰায়বোৰ তোমালোকে শুনা; অৱশ্যে জাকৰ সৰুবোৰেও
সিহঁতক টানি লৈ যাব, অৱশ্যে সিহঁতৰ চৰণীয়া ঠাই সিহঁতৰ বিষয়ে
বিস্ময় মানিব। ৪৬ বাবিলক হাত কৰি লোৱাৰ শব্দত পৃথিৱী কঁপিছে,
আৰু জাতিবিলাকৰ মাজত চিঞৰৰ শব্দ শুনি গৈছে।

৫১ যিহোৱাই এই কথা কৈছে, চোৱা, মই বাবিলৰ আৰু লেব-কাময়-
নিবাসী-বিলাকৰ বিৰুদ্ধে এক বিনাশক বতাহ বলোৱাম। ২ আৰু
বাবিললৈ বিদেশীবোৰক পঠাম, সিহঁতে তাক জানিব আৰু তাৰ দেশ
শূণ্য কৰিব; কিয়নো সঙ্কটৰ দিনা সিহঁত চাৰিওফালে তাৰ বিৰুদ্ধী হ'ব।
৩ ধনুৰ্দ্ধৰে নিজ ধনু নিভিৰাওক আৰু কৱচ পিন্ধি অহংকাৰ নকৰক;
তোমালোকে তাৰ ডেকা মানুহবিলাকক দয়া নকৰিবা, তাৰ সকলো
সৈন্যক নিঃশেষে বিনষ্ট কৰা। ৪ সিহঁত কলদীয়াবিলাকৰ দেশত হত হৈ
আৰু তাৰ আলিত খোঁচ খাই পৰি থাকিব। ৫ কিয়নো, যদিও ইস্রায়েল
কি যিহূদা দেশ ইস্রায়েলৰ পবিত্ৰ ঈশ্বৰ জনাৰ বিৰুদ্ধে দোষেৰে ভৰা,
তথাপি বাহিনীসকলৰ ঈশ্বৰ যিহোৱাৰ দ্বাৰাই সি পৰিত্যক্ত হোৱা নাই।
৬ তোমালোকে বাবিলৰ মাজৰ পৰা পলোৱা, আৰু প্ৰতিজনে নিজ নিজ
প্ৰাণ ৰক্ষা কৰা, তাৰ দোষত বিনষ্ট নহ'বা; কিয়নো এয়ে যিহোৱাই
সধা প্ৰতিকাৰৰ সময়, তেওঁ তাক প্ৰতিফল দিব। ৭ বাবিল, সমস্ত
পৃথিৱীক মতলীয়া কৰা যিহোৱাৰ হাতত থকা সোণৰ এক পান-পাত্ৰ;
জাতিবিলাকে তাৰ দ্ৰাক্ষাৰস পান কৰিলে, সেই নিমিত্তে জাতিবিলাক
পগলা হ'ল। ৮ বাবিল অকস্মাৎ পতিত হৈ বিনষ্ট হ'ল; তোমালোকে
তাৰ নিমিত্তে হাহাকাৰ কৰা, তাৰ বেদনাৰ নিমিত্তে সুস্থজনক গছৰ ৰস
লোৱা, কিজানি সি সুস্থ হ'ব পাৰে। ৯ আমি বাবিলক সুস্থ কৰিবলৈ যত্ন
কৰিছিলোঁ, কিন্তু সি সুস্থ নহ'ল, তোমালোকে তাক ত্যাগ কৰা, আহাঁ
আমি প্ৰতিজনে নিজ নিজ দেশলৈ যাওঁহঁক; কিয়নো তাৰ দোষে আকাশ
স্পৰ্শ কৰিছে, আৰু গগন মণ্ডললৈকে উঠিছে। ১০ যিহোৱাই আমাৰ
ধাৰ্মিকতা প্ৰকাশ কৰিলে; আহাঁ আমি আমাৰ ঈশ্বৰ যিহোৱাৰ কৰ্ম
চিয়োনত প্ৰচাৰ কৰোঁগৈ। ১১ তোমালোকে কাঁড়বোৰ ধাৰ দিয়া, ঢাল
শকতকৈ ধৰা; যিহোৱাই মাদিয়া ৰজাবিলাকৰ মন উচটাইছে, কিয়নো
বাবিলক নষ্ট কৰিবৰ নিমিত্তে তেওঁৰ কল্পনা তাৰ বিৰুদ্ধী; কাৰণ এয়ে
যিহোৱাই সধা প্ৰতিকাৰ। ১২ তোমালোকে বাবিলৰ গড়ৰ অহিতে
ধ্বজা তোলা, পৰীয়াবোৰক সাহিয়াল কৰোঁৱা, প্ৰহৰী নিযুক্ত কৰা, আৰু
গুপুত ঠাইত সৈন্য ৰাখা; কিয়নো যিহোৱাই বাবিল-নিবাসীবিলাকৰ
বিষয়ে কোৱা কথা কল্পনা কৰিলে আৰু সিদ্ধও কৰিলে। ১৩ হে বহুজল-

নিবাসিনী, বহুমূল্য বস্তুৰে পৰিপূৰ্ণা, তোমাৰ অন্তিম কাল উপস্থিত,
তোমাৰ লোভৰ পৰিমাণ পূৰ হ'ল। ১৪ বাহিনীসকলৰ যিহোৱাই নিজ
নাম লৈ শপত খাই ক'লে, মই অৱশ্যে ফৰিঙৰ নিচিনাকৈ মানুহেৰে
তোমাক পৰিপূৰ্ণ কৰিম, আৰু সিহঁতে তোমাৰ বিৰুদ্ধে জয়-ধ্বনি কৰিব।
১৫ তেওঁ নিজ শক্তিৰে পৃথিৱী স্ৰজন কৰিলে, নিজ জ্ঞানেৰে জগত স্থাপন
কৰিলে আৰু নিজ বুদ্ধিৰে আকাশ-মণ্ডল বিস্তাৰ কৰিলে। ১৬ তেওঁ মাত
লগালে আকাশ-মণ্ডলত জল সমূহৰ কোলাহল হয়, আৰু তেওঁ পৃথিৱীৰ
অন্তভাগৰ পৰা ভাপবোৰ তোলে; তেওঁ বৃষ্টিৰ নিমিত্তে বিজুলী স্ৰজে,
আৰু নিজ ভঁড়ালৰ পৰা বতাহ বাহিৰ কৰি আনে। ১৭ প্ৰতিজন মানুহ
পশুতুল্য আৰু জ্ঞানশূন্য প্ৰতিজন সোণাৰী তাৰ কটা প্ৰতিমাৰ দ্বাৰাই
লজ্জিত হয়; কাৰণ তাৰ সাঁচত ঢলা মুৰ্ত্তি মিছা, সেইবোৰৰ ভিতৰত
নিশ্বাস-প্ৰশ্বাস নাই। ১৮ সেইবোৰ ভাপ আৰু প্ৰবঞ্চনাৰ কাৰ্য মাথোন;
দণ্ড দিয়া কালত সেইবোৰ বিনষ্ট হ'ব। ১৯ যাকোবৰ অংশ সেইবোৰৰ
নিচিনা নহয়; কিয়নো তেওঁ সকলোৰে নিৰ্ম্মাণকৰ্ত্তা আৰু ইস্ৰায়েল
তেওঁৰ আধিপত্যৰ ফৈদ; বাহিনীসকলৰ যিহোৱা তেওঁৰ নাম। ২০
তুমি মোৰ গদা আৰু যুদ্ধৰ অস্ত্ৰ; তোমাৰ দ্বাৰাই মই নানা জাতিক খণ্ড
খণ্ড কৰিম আৰু তোমাৰ দ্বাৰাই নানা ৰাজ্য সংহাৰ কৰিম; ২১ মই
তোমাৰ দ্বাৰাই ঘোঁৰা আৰু তাত উঠাজনক ডোখৰ ডোখৰ কৰিম,
তোমাৰ দ্বাৰাই ৰথ আৰু তাত উঠা জনক ডোখৰ ডোখৰ কৰিম। ২২
মই তোমাৰ দ্বাৰাই মতা আৰু তিৰোতাক ডোখৰ ডোখৰ কৰিম আৰু
তোমাৰ দ্বাৰাই বুঢ়া আৰু ডেকাক ডোখৰ ডোখৰ কৰিম আৰু তোমাৰ
দ্বাৰাই যুৱা আৰু যুৱতীক ডোখৰ ডোখৰ কৰিম; ২৩ মই তোমাৰ দ্বাৰাই
জাকৰ ৰখীয়াক আৰু তাৰ জাকক ডোখৰ ডোখৰ কৰিম তোমাৰ দ্বাৰাই
খেতিয়কক আৰু তাৰ বলধহালক ডোখৰ ডোখৰ কৰিম, তোমাৰ দ্বাৰাই
শাসনকৰ্ত্তা আৰু দেশাধ্যক্ষবিলাকক ডোখৰ ডোখৰ কৰিম। ২৪ আৰু
যিহোৱাই কৈছে, মই বাবিলক আৰু কলদীয়ানিবাসী আটাইবোৰক
তোমালোকৰ দৃষ্টিত সিহঁতে চিয়োনত কৰা সকলো কুকৰ্মৰ প্ৰতিফল
দিম। ২৫ যিহোৱাই কৈছে, হে সমস্ত পৃথিৱী বিনষ্ট কৰোঁতা বিনাশক
পৰ্ব্বত, মই তোমাৰ বিপক্ষ, মই তোমাৰ ওপৰলৈ মোৰ হাত মেলি

শিলবোৰৰ পৰা তোমাক বগৰাম, আৰু তোমাক জ্বলি যোৱা পৰ্ব্বত
কৰিম। ২৬ চুকৰ পৰা ভিত্তিমূলৰ নিমিত্তে কোনো মানুহে তোমাৰ পৰা
এটি শিলো নল'ব; কিন্তু যিহোৱাই কৈছে, তুমি চিৰকলীয়া ধ্বংসস্থান
হ'বা। ২৭ তোমালোকে দেশত নিচান তোলা, জাতিবিলাকৰ মাজত
শিঙা বজোৱা, তাৰ অহিতে জাতিবিলাকক যুগুত কৰা, অৰাৰট,
মিন্নী, আৰু অস্কিনজ ৰাজ্যবোৰক তাৰ অহিতে মাতা, তাৰ অহিতে
প্ৰধান সেনাপতি নিযুক্ত কৰা, শুং থকা ফৰিঙৰ নিচিনাকৈ ঘোঁৰাবোৰ
পঠোৱা। ২৮ তোমালোকে তাৰ অহিতে জাতিবিলাকক, মাদিয়া
দেশৰ ৰজাবিলাকক, তাৰ শাসনকৰ্ত্তা আৰু সকলো দেশাধ্যক্ষবিলাকক
আৰু তেওঁবিলাকৰ ৰাজ্যৰ সমস্ত দেশৰ লোকক যুগুত কৰা। ২৯
দেশ কঁপিছে আৰু বেদনা পাইছে; কিয়নো বাবিল দেশক ধ্বংস আৰু
নিবাসী- শূণ্য কৰিবলৈ বাবিলৰ অহিতে যিহোৱাৰ সঙ্কল্প সিদ্ধ হৈছে।
৩০ বাবিলৰ বীৰবিলাকে যুদ্ধ কৰিবলৈ এৰিছে, তেওঁবিলাকৰ দৃঢ়
কোঁঠবোৰত থাকিছে; তেওঁবিলাকৰ শক্তি নাইকিয়া হ'ল; তেওঁবিলাক
তিৰোতাৰ নিচিনা হ'ল, বাবিলৰ বাসস্থানবোৰত জুই লাগিল, তাৰ
ডাংবোৰ ভাগিল। ৩১ বাবিলৰ ৰজাৰ নগৰ যে চাৰিওপিনে শত্ৰুৰ
হাতত পৰিল, ইয়াকে তেওঁক জনাবৰ নিমিত্তে এটা ডাকৱালা লৰি
গৈ আন ডাকৱালাৰ, ৩২ আৰু এজন দূতে আন দূতৰ লগ পাইছে;
আৰু পাৰ ঘাটবোৰ লৰোৱা হ'ল, নলবোৰ জুই লগাই পুৰিলে, আৰু
যুদ্ধাৰুবিলাক বিহ্বল হ'ল। ৩৩ কিয়নো ইস্ৰায়েলৰ ঈশ্বৰ বাহিনীসকলৰ
যিহোৱাই এই কথা কৈছে, "বাবিল- জীয়াৰী শস্য মৰণা মৰা কালৰ
খলাস্বৰূপ, আৰু অলপতে শস্য কাটিবৰ সময় তাইলৈ আহিব"। ৩৪
বাবিলৰ ৰজা নবূখদনেচৰে মোক গ্ৰাস কৰিলে, মোক গুৰি কৰিলে,
মোক শূণ্যপাত্ৰ কৰিলে, মোক নাগৰ দৰে গিলি পেলালে, মোৰ সু-
স্বাদু বস্তুৰে উদৰ পূৰ কৰিলে, আৰু মোক বাহিৰলৈ পেলালে। ৩৫
মোলৈ আৰু মোৰ মাংসলৈ কৰা অত্যাচাৰৰ ফল বাবিললৈ হওক, এই
বুলি চিয়োন-নিবাসিনীয়ে ক'ব; আৰু মোৰ ৰক্তপাতৰ ফল কলদীয়া
নিবাসীবিলাকলৈ ঘটক, এই বুলি যিৰূচালেমে ক'ব। ৩৬ এই হেতুকে
যিহোৱাই এই কথা কৈছে, চোৱা, মই তোমাৰ অভিযোগ প্ৰতিবাদ

কৰিম, আৰু তোমাৰ নিমিত্তে প্ৰতিকাৰ সাধিম; মই তাৰ সমুদ্ৰ, জলশূন্য
কৰিম আৰু তাৰ ভুমূক শুকুৱাম। ৩৭ আৰু বাবিল ভগ্নৰাশি, শিয়ালৰ
বাসস্থান, আচৰিত আৰু ইচ ইচৰ বিষয় আৰু নিবাসীশূণ্য হ'ব। ৩৮
সিহঁতে ডেকা সিংহৰ নিচিনাকৈ একেলগে গৰ্জ্জন কৰিব; সিহঁতে
সিংহৰ পোৱালিৰ নিচিনাকৈ গোঁজৰিব। ৩৯ যিহোৱাই কৈছে, সিহঁতৰ
ৰাগী ধৰা সময়ত মই সিহঁতলৈ ভোজ পাতিম আৰু সিহঁতে ৰং-ধেমালি
কৰিবৰ নিমিত্তে আৰু অনন্ত নিদ্ৰা গৈ সাৰ নাপাবৰ নিমিত্তে সিহঁতক
মতলীয়া কৰিম। ৪০ মই সিহঁতক মেৰ পোৱালিৰ নিচিনাকৈ মতা
ছাগেৰে সৈতে মতা মেৰৰ নিচিনাকৈ বধৰ ঠাইলৈ নমাই আনিম। ৪১
চেচকক কেনেৰূপে হাত কৰি লোৱা হ'ল! গোটেই পৃথিৱীৰ প্ৰশংসাৰ
স্থল কেনে অকস্মাৎ ধৰা পৰিল! জাতিবিলাকৰ মাজত বাবিল কেনে
ধ্বংসস্থান হ'ল! ৪২ বাবিলৰ ওপৰত সমুদ্ৰ উঠিল, তাৰ ঢৌসমুহেৰে
তাক ঢকা হ'ল। ৪৩ তাৰ নগৰবোৰ ধ্বংসস্থান, শুকান ভূমি, মৰুভূমি,
মানুহে বাস নকৰা বা তাৰ মাজেদি মনুষ্য সন্তান নোযোৱা ঠাই হ'ল।
৪৪ মই বাবিলত বেল দেৱতাক দণ্ড দিম আৰু সি গিলি পেলোৱা
বস্তু তাৰ মুখৰ পৰা উলিয়াম; জাতিবিলাকে তাৰ ওচৰলৈ একেলগে
সোঁত বোৱাদি আৰু নবব; এনে কি বাবিলৰ গড়ো পতিত হ'ব। ৪৫
হে মোৰ প্ৰজাবিলাক, তোমালোক তাৰ মাজৰ পৰা ওলোৱা; আৰু
প্ৰতিজনে যিহোৱাৰ প্ৰচণ্ড ক্ৰোধৰ পৰা নিজকে ৰক্ষা কৰা। ৪৬
তোমালোকৰ হৃদয় সাহ নাইকিয়া নহওক, বা দেশত শুনা জনৰবৰ
নিমিত্তে তোমালোকে ভয় নকৰিবা; কিয়নো এবছৰত এটি জনৰব
হ'ব, আৰু দেশত অত্যাচাৰ, শাসনকৰ্ত্তাৰ অহিতে শাসনকৰ্ত্তা হ'ব।
৪৭ এই হেতুকে চোৱা, যি দিনা মই বাবিলৰ কটা প্ৰতিমাবোৰক
দণ্ড দিম, আৰু তাৰ গোটেই দেশে লাজ পাব, এনে দিন আহিছে;
আৰু তাৰ সমস্ত হত লোক তাৰ মাজত পতিত হ'ব। ৪৮ তেতিয়া
আকাশ-মণ্ডল আৰু পৃথিৱী, আৰু সেইবোৰত থকা সকলোৱে বাবিলৰ
ওপৰত আনন্দ গান কৰিব; কিয়নো যিহোৱাই কৈছে, বিনাশকবোৰ
উত্তৰৰ পৰা তাৰ গুৰিলৈ আহিব। ৪৯ বাবিলে যেনেকৈ ইস্ৰায়েলৰ হত
লোকবিলাকক পতিত কৰিলে, সেইদৰে সমস্ত দেশৰ হত লোকবিলাক

বাবিলত পতিত হ'ব। ৫০ হে তৰোৱালৰ পৰা ৰক্ষা পোৱা লোকবিলাক,
তোমালোকে যোৱা, ৰৈ নাথাকিবা, দূৰৈৰ পৰা যিহোৱাক সোঁৱৰণ
কৰা, আৰু যিৰূচালেম তোমালোকৰ মনত উদয় হওক। ৫১ আমি
ধিক্কাৰৰ কথা শুনি লাজ পাইছোঁ, আমাৰ মুখ অপমানে ঢাকিছে;
কিয়নো বিদেশীবিলাক যিহোৱাৰ গৃহৰ পবিত্ৰ-স্থানবোৰত সোমাল।
৫২ এই হেতুকে, যিহোৱাই কৈছে, চোৱা, যি দিনা মই তাৰ কটা-
প্ৰতিমাবোৰক দণ্ড দিম, আৰু তাৰ দেশৰ সকলোফালে খুন হোৱা
লোকে কেঁকাব, এনে দিন আহিছে। ৫৩ যিহোৱাই কৈছে, বাবিল
যদিও আকাশলৈকে উন্নত হয়, আৰু তাৰ ওখ কোঁঠবোৰ দৃঢ় কৰে,
তথাপি মোৰ পৰা তাৰ ওপৰলৈ বিনাশকবিলাক যাব। ৫৪ বাবিলৰ
পৰা চিঞৰৰ আৰু কলদীয়াবিলাকৰ দেশৰ পৰা মহাসংহাৰৰ শব্দ
উঠিছে। ৫৫ কিয়নো যিহোৱাই বাবিলক উন্নত কৰিছে আৰু তাৰ
মাজত হোৱা মহাশব্দ নাইকিয়া কৰিছে; সিহঁতৰ ঢৌবোৰে জল সমূহৰ
নিচিনাকৈ গৰ্জ্জন কৰিছে, সিহঁতৰ কোলাহলৰ শব্দ শুনা গৈছে। ৫৬
কাৰণ তাৰ ওপৰলৈ, বাবিলৰ ওপৰলৈকে বিনাশক আহিল, আৰু তাৰ
বীৰবিলাক ধৰা পৰিল, তেওঁবিলাকৰ ধনু ডোখৰ ডোখৰকৈ ভঙা হ'ল;
কিয়নো যিহোৱা প্ৰতিফল দিওঁতা ঈশ্বৰ, তেওঁ অৱশ্যে প্ৰতিফল দিব।
৫৭ আৰু মই তাৰ প্ৰধান আৰু জ্ঞানীবিলাকক, তাৰ শাসনকৰ্ত্তা আৰু
দেশাধ্যক্ষবিলাকক, আৰু তাৰ বাৰবিলাকক, মতলীয়া কৰিম; আৰু
বাহিনীসকলৰ যিহোৱা নামেৰে প্ৰখ্যাত ৰজাই কৈছে, তেওঁবিলাকে
অনন্ত নিদ্ৰা গৈ সাৰ নাপাব। ৫৮ বাহিনীসকলৰ যিহোৱাই এই কথা
কৈছে, বাবিলৰ বহল গড়বোৰ, নিঃশেষে বিনষ্ট হ'ব, আৰু তাৰ ওখ
দুৱাৰবোৰ অগ্নিৰে পোৰা হ'ব আৰু লোকবিলাকে অসাৰৰ নিমিত্তে,
আৰু জাতিবিলাকে অগ্নিৰ নিমিত্তে পৰিশ্ৰম কৰিব, আৰু সিহঁত ক্লান্ত
হ'ব। ৫৯ মহচেয়াৰ নাতিয়েক নেৰিয়াৰ পুত্ৰ চৰায়া যিহূদাৰ ৰজা
চিদিকিয়াই সৈতে বাবিললৈ যোৱা সময়ত, তেওঁৰ ৰাজত্বৰ চতুৰ্থ
বছৰত যিৰিমিয়া ভাববাদীয়ে তেওঁক দিয়া আজ্ঞাৰ কথা। সেই চৰায়া
ৰাজগৃহৰ প্ৰধান অধ্যক্ষ আছিল। ৬০ আৰু বাবিললৈ ঘটিব লগা সকলো
অমঙ্গলৰ কথা, অৰ্থাৎ বাবিলৰ বিষয়ে লিখা এই আটাইবোৰ বাক্য

যিৰিমিয়াই এখন পুথিত লিখিলে। ৬১ আৰু যিৰিমিয়াই চৰায়াক ক'লে,
সাৱধান, তুমি বাবিল পালে এই সকলো কথা পাঠ কৰিবা, ৬২ আৰু
ক'বা, হে যিহোৱা, পশু কি মানুহ কোনেও ইয়াত বাস নকৰিবৰ
নিমিত্তে, কিন্তু চিৰকাললৈকে ধ্বংসস্থান হ'বৰ নিমিত্তে উচ্ছন্ন কৰিবৰ
কথা তুমি এই ঠাইৰ বিষয়ে কৈছা। ৬৩ পাছে তুমি এই পুথিখন পঢ়ি
এঁটোৱা হ'লে, ইয়াত এটা শিল বান্ধি ফৰাৎ নদীৰ মাজ ঠাইত পেলাই
দিবা, ৬৪ আৰু তুমি ক'বা, মই বাবিললৈ যি অমঙ্গল ঘটাম, তাৰ
কাৰণে বাবিল এইদৰে মগ্ন থাকিব, কেতিয়াও আৰু নুঠিব; "আৰু সিহঁত
ক্লান্ত হ'ব"। যিৰিমিয়াৰ বাক্য ইমানলৈকে।

৫২ চিদিকিয়াই একৈশ বছৰ বয়সত ৰজা হৈ যিৰূচালেমত এঘাৰ
বছৰ ৰাজত্ব কৰিলে; তেওঁৰ মাকৰ নাম লিব্না নিবাসী যিৰিমিয়াৰ
জীয়েক হমূতল। ২ যিহোয়াকীমৰ সকলো কাৰ্য অনুসাৰে তেওঁ
যিহোৱাৰ সাক্ষাতে কু-আচৰণ কৰিলে; ৩ কিয়নো, যিৰূচালেম আৰু
যিহূদাৰ লোকবিলাকক যিহোৱাই নিজৰ আগৰ পৰা দূৰ নকৰিলেমানে,
তেওঁৰ ক্ৰোধৰ কাৰণে তেওঁলোকলৈ দুৰ্ঘটনা ঘটিল। আৰু চিদিকিয়াই
বাবিলৰ ৰজাৰ বিৰুদ্ধে বিদ্ৰোহ-আচৰণ কৰিলে। ৪ পাছে তেওঁৰ
ৰাজত্বৰ নৱম বছৰৰ দশম মাহৰ দশম দিনা, বাবিলৰ ৰজা নবূখদনেচৰ
আৰু তেওঁৰ সকলো সৈন্যসামন্তই যিৰূচালেমৰ বিৰুদ্ধে আহি ছাউনি
পাতিলে আৰু তাৰ অহিতে চাৰিওফালে কোঁঠ সাজিলে। ৫ এইদৰে ৰজা
চিদিকিয়াৰ ৰাজত্ব কালৰ একাদশ বছৰলৈকে নগৰখন অৱৰোধ কৰা
আছিল। ৬ পাছত চতুৰ্থ মাহৰ নৱম দিনা নগৰত আকাল অতিশয় টান
হোৱাত, দেশৰ লোকবিলাকৰ নিমিত্তে খোৱা বস্তু একোৱেই নাথাকিল।
৭ সেই সময়ত নগৰৰ গড়ৰ কোনো এক ঠাই ভঙা হ'লত, সকলো
যুদ্ধাৰু লোক পলাই ৰজাৰ উদ্যানৰ ওচৰত থকা গড় দুটাৰ মাজৰ
দুৱাৰখনৰ বাটেদি নগৰৰ বাহিৰলৈ ৰাতিয়েই ওলাই গ'ল, তেতিয়া
কলদীয়াবিলাক নগৰৰ বিৰুদ্ধে চাৰিওফালে আছিল আৰু তেওঁবিলাক
অৰাবাৰ বাটেদি গ'ল। ৮ কিন্তু কলদীয়াবিলাকৰ সৈন্যসামন্তই ৰজাৰ
পাছত খেদি গৈ, যিৰীহোৰ সমথলত চিদিকিয়াক লগ ধৰিলে; তেতিয়া
তেওঁৰ সকলো সৈন্য-সামন্ত তেওঁৰ ওচৰৰ পৰা ছিন্ন-ভিন্ন হৈ গ'ল। ৯

পাছে সিহঁতে ৰজাক ধৰি হমাৎ দেশৰ ৰিব্লালৈ বাবিলৰ ৰজাৰ গুৰিলৈ
নিলে; তাতে তেওঁ তেওঁলৈ দণ্ডাজ্ঞা কৰিলে। ১০ বাবিলৰ ৰজাই
চিদিকিয়াৰ পুতেকবিলাকক তেওঁৰ চকুৰ আগতে বধ কৰিলে। আৰু
যিহূদাৰ আটাই প্ৰধান লোককো ৰিব্লাত বধ কৰিলে। ১১ তাৰ বাহিৰে
বাবিলৰ ৰজাই চিদিকিয়াৰ চকু কাঢ়ি, তেওঁক শিকলিৰে বান্ধি বাবিললৈ
লৈ গ'ল, আৰু তেওঁ নমৰা দিনলৈকে তেওঁক বন্দীশালত বন্দী কৰি
ৰাখিলে। ১২ পাছে পঞ্চম মাহৰ দশম দিনা বাবিলৰ ৰজা নবূখদনেচৰৰ
ৰাজত্বৰ ঊন্নৈশ বছৰৰ বছৰি বাবিলৰ ৰজাৰ আগত থিয় হওঁতা
নবুজৰদান ৰক্ষক-সেনাপতিয়ে যিৰূচালেমলৈ আহি, ১৩ যিহোৱাৰ
গৃহটি আৰু ৰাজ গৃহটি পুৰিলে আৰু যিৰূচালেমৰ সকলো ঘৰ জুই দি
পুৰিলে। ১৪ আৰু সেই ৰক্ষক-সেনাপতিৰ লগত অহা কলদীয়াবিলাকৰ
সকলো সৈন্যসামন্তই যিৰূচালেমৰ চাৰিওফালৰ আটাইবোৰ গড় ভাঙি
পেলালে। ১৫ আৰু নবুজৰদানৰ ৰক্ষক-সেনাপতিয়ে প্ৰজাবিলাকৰ
কেতবিলাক দৰিদ্ৰ লোকক, নগৰৰ বাকী থকা লোকবিলাকক বাবিলৰ
ৰজাৰ ফলীয়া হ'বলৈ পলাই যোৱাবিলাকক বন্দী কৰি লৈ গ'ল। ১৬
কিন্তু দ্ৰাক্ষা আপডাল কৰোঁতা আৰু খেতিয়ক হ'বলৈ নবুজৰদান ৰক্ষক-
সেনাপতিয়ে দেশৰ কেতবিলাক দুখীয়া মানুহ এৰি গ'ল। ১৭ আৰু
যিহোৱাৰ গৃহৰ পিতলৰ স্তম্ভ দুটা, আৰু যিহোৱাৰ গৃহৰ আধাৰবোৰ
ও পিতলৰ সমুদ্ৰ-পাত্ৰটো কলদীয়াবিলাকে ডোখৰ ডোখৰকৈ ভাঙি
সেইবোৰৰ আটাইবোৰ পিতল বাবিললৈ লৈ গ'ল। ১৮ আৰু ছাঁই
পেলোৱা পাত্ৰ, ছাঁই উলিওৱা হেতা, কটাৰী, তেজ পেলোৱা পাত্ৰ,
পিয়লা আদি কৰি পৰিচৰ্যা কৰ্ম কৰা পিতলৰ আটাই বস্তু সিহঁতে
লৈ গ'ল। ১৯ আৰু চৰিয়া, আঙঠা ধৰা, তেজপেলোৱা পাত্ৰ, ছাঁই
পেলোৱা পাত্ৰ, দীপাধাৰ, পিয়লা, বাটি আদি কৰি সোণৰ পাত্ৰৰ সোণ,
আৰু ৰূপৰ পাত্ৰ ৰূপ ৰক্ষক-সেনাপতিয়ে লৈ গ'ল। ২০ আৰু চলোমন
ৰজাই যিহোৱাৰ গৃহৰ নিমিত্তে সেই যি দুটা স্তম্ভ, এটা সমুদ্ৰ পাত্ৰ,
আৰু আধাৰবোৰৰ তলত থকা বাৰটা পিতলৰ বৃষ সজাইছিল, সেই
সকলো বস্তুৰ পিতল অপৰিমিত আছিল। ২১ আৰু সেই স্তম্ভ দুটাৰ
বিষয়ে হ'লে প্ৰথমটো ওখই ওঠৰ হাত; আৰু বাৰহতীয়া সূতাই তাক

মেৰাব পাৰিছিল, আৰু তাৰ ডাঠ চাৰি আঙুল; সেয়ে ফোপোলা আছিল।
২২ আৰু তাৰ ওপৰত পিতলৰ এটা মাথলা আছিল, সেই মাথলা
ওখই পাঁচ হাত; আৰু মাথলাত চাৰিওফালে জালি কটা আৰু ডালিম
আছিল; সেই আটাইবোৰ পিতলৰ; দ্বিতীয় স্তম্ভটোও সেই প্ৰকাৰ,
আৰু তাৰো ডালিম আছিল। ২৩ চাৰিওফালে ছয়ান্নৈটা ডালিম
আছিল, আৰু চাৰিওফালে জালি কটাৰ ওপৰত সৰ্ব্বমুঠ এশ ডালিম
আছিল। ২৪ পাছে ৰক্ষক-সেনাপতিয়ে প্ৰধান পুৰোহিত চৰায়াক, আৰু
দ্বিতীয় পুৰোহিত চফনিয়াক, আৰু তিনি জন দুৱৰীক ধৰিলে। ২৫ আৰু
নগৰৰ লোকবিলাকৰ মাজৰ, যুদ্ধাৰুবিলাকৰ ওপৰত নিযুক্ত এজন
অধ্যক্ষক, নগৰত পোৱা ৰাজসভাসদ সকলৰ সাতজন মানুহক, দেশৰ
প্ৰজাবিলাকৰ সৈন্যৰ নাম ভৰ্ত্তি কৰোঁতা প্ৰধান সেনাপতিৰ লিখক
জনক, আৰু নগৰৰ মাজত পোৱা দেশৰ প্ৰজাবিলাকৰ ষাঠিজন মানুহক
ধৰিলে। ২৬ আৰু নবুজৰদান ৰক্ষক-সেনাপতিয়ে তেওঁবিলাকক ৰিব্লালৈ
বাবিলৰ ৰজাৰ গুৰিলৈ লৈ গ'ল। ২৭ পাছে বাবিলৰ ৰজাই হমাৎ দেশৰ
ৰিব্লাত তেওঁবিলাকক আঘাত কৰাই বধ কৰিলে। এইদৰে যিহূদাক
নিজ দেশৰ পৰা দেশান্তৰ কৰা হ'ল। ২৮ নবূখদনেচৰে দেশান্তৰ
কৰা লোকবিলাকৰ সংখ্যা এই; সপ্তম বছৰত তেওঁ তিনি হাজাৰ
তেইশজন যিহুদী মানুহক দেশান্তৰ কৰি নিলে; ২৯ নবূখদনেচৰৰ
ৰাজত্বৰ অষ্টাদশ বছৰত তেওঁ যিৰূচালেমৰ পৰা আঠশ বত্ৰিশ জনক
দেশান্তৰ কৰি লৈ গ'ল; ৩০ নবূখদনেচৰৰ ৰাজত্বৰ তেইশ বছৰৰ বছৰি
নবুজৰদান ৰক্ষক-সেনাপতিয়ে যিহুদী বিলাকৰ মাজৰ পৰা সাতশ
পঞ্চল্লিশ জনক দেশান্তৰ কৰি লৈ গ'ল; সৰ্ব্বমুঠ চাৰি হাজাৰ ছশ লোক
লৈ গ'ল। ৩১ পাছে যিহূদাৰ ৰজা যিহোয়াখীনৰ বন্দী অৱস্থাৰ সাতত্ৰিশ
বছৰৰ বছৰি, দ্বাদশ মাহৰ পঁচিশ দিনৰ দিনা বাবিলৰ ইবীল-মৰোদক
ৰজাই নিজৰ ৰাজত্বৰ প্ৰথম বছৰত যিহূদাৰ ৰজা যিহোয়াখীনৰ মুৰ
দাঙি, তেওঁক বন্দীশালৰ পৰা মুক্ত কৰিলে; ৩২ আৰু তেওঁক মৰমৰ
কথা ক'লে, আৰু বাবিলত তেওঁৰ লগত থকা ৰজাবিলাকৰ আসনতকৈ
তেওঁৰ আসন ওখত স্থাপন কৰিলে। ৩৩ আৰু তেওঁ নিজৰ বন্দীশালৰ
কাপোৰ সলালে, আৰু তেওঁ জীয়াই থাকে মানে ৰজাৰ আগত সদায়

ভোজন কৰিলে। ৩৪ আৰু তেওঁৰ খুৰাকৰ বিষয়ে হ'লে, তেওঁ জীয়াই
থাকে মানে নমৰালৈকে বাবিলৰ ৰজাৰ আজ্ঞাৰে এক এক দিনৰ
উপযুক্ত খাদ্য দ্ৰব্য প্ৰতি দিনে তেওঁক দিয়া হৈছিল।

# বিলাপ-গাথা

১ যি যিৰূচালেম নগৰ এসময়ত প্ৰজাৰে পৰিপূৰ্ণ আছিল, সেই
নগৰ এতিয়া কেনে অকলশৰীয়া হৈ ৰৈ আছে! যদিও তাই জাতি
সমূহৰ মাজত ক্ষমতাশালী আছিল, তথাপি তাই বিধৱাৰ দৰে হ'ল!
প্ৰদেশবোৰৰ মাজত তাই ৰাণী আছিল, কিন্তু এতিয়া দাসত্বৰ অধীন
হ'ল! ২ তাই ৰাতি উচুপি বিলাপ কৰে আৰু তাইৰ চকুৰ পানী
গালেৰে বৈ যায়। তাইৰ প্ৰেমিক সকলৰ মাজত তাইক শান্ত্বনা দিবলৈ
কোনো নাই। তাইৰ সকলো বন্ধুৱে তাইক বিশ্বাস-ঘাতকতা কৰিলে।
তেওঁলোক তাইৰ শত্ৰু হ'ল। ৩ দৰিদ্ৰতা আৰু ক্লেশ-ভোগ কৰাৰ
পাছত যিহূদা বন্দীত্বত গ'ল। তাই কোনো বিশ্ৰাম নোপোৱাকৈ সকলো
জাতিৰ মাজত বাস কৰি আছে। তাই হতাশ হোৱাত তাইৰ শত্ৰু সকলে
তাইক আক্ৰান্ত কৰিলে। ৪ নিৰ্ধাৰিত পৰ্ব্বলৈ কোনো নোযোৱাত,
চিয়োনৰ পথবোৰে শোক কৰিছে। তাইৰ আটাই দুৱাৰ অৱহেলিত
হ'ল। তাইৰ পুৰোহিতসকলে দুখত কেঁকাই আছে। তাইৰ কুমাৰীসকল
শোকত আছে আৰু নিজেও অতি বেজাৰত আছে। ৫ তাইৰ শত্ৰুবোৰ,
তাইৰ প্ৰভু হ'ল; আৰু তেওঁলোকৰ উন্নতি হ'ল। কিয়নো তাইৰ অপৰাধ
অধিক হোৱা কাৰণে যিহোৱাই তাইক ক্লেশ দিলে। তাইৰ শিশুসকল
শত্ৰুৰ হাতত বন্দী-অৱস্থালৈ গ'ল। ৬ আৰু চিয়োন-জীয়াৰীৰ সৌন্দৰ্য্যই
তাইক ত্যাগ কৰিলে। তাইৰ ৰাজকুমাৰসকল চৰণীয়া ঠাই নোপোৱা
হৰিণৰ দৰে হ'ল, আৰু শক্তিহীন হৈ খেদি নিয়া শত্ৰুৰ আগে আগে
গ'ল। ৭ যিৰূচালেমে নিজৰ দুখ আৰু কষ্টৰ দিনত, পূৰ্বকালৰ নিজৰ
সকলো মনোহৰ বস্তুবোৰৰ বিষয়ে সোঁৱৰণ কৰিছে। যেতিয়া তাইৰ
প্ৰজাসকল শত্ৰুৰ হাতত পৰিল, তেতিয়া কোনেও তাইক সহায়
নকৰিলে। শত্ৰুবোৰে তাইৰ ধ্বংস হোৱা অৱস্থা দেখি উপহাস কৰিলে।
৮ যিৰূচালেমে অতিশয় পাপ কৰিলে; এই কাৰণে তাই অশুচি বস্তু
যেন হ'ল। তাইৰ সন্মানকাৰীসকলে তাইৰ উলঙ্গতা দেখি তাইক
তুচ্ছ জ্ঞান কৰিলে। তাই দুখেৰে কেঁকাই পাছফালে মুখ ঘূৰায়। ৯
তাইৰ চুৱা, তাইৰ কাপোৰৰ আঁচলত লাগি আছে। তাই নিজৰ শেষ
গতিলৈ মন নকৰিলে। এই কাৰণে আচৰিতৰূপে তাইৰ অধোগতি

হ'ল। তাইক শান্ত্বনা দিওঁতা কোনো নাই। হে যিহোৱা, মোৰ ক্লেশলৈ
দৃষ্টি কৰক, কাৰণ শত্ৰু অতি মহান হ'ল! ১০ শত্ৰুৱে তাইৰ আটাই
মনোহৰ বস্তুবোৰৰ ওপৰত হাত দিলে। যি জাতিবোৰক আপোনাৰ
সমাজত সোমাবলৈ আপুনি নিষেধ কৰিছিল, তাই সেই জাতিবোৰক
তাইৰ পবিত্ৰ স্থানত প্ৰৱেশ কৰা দেখিলে। ১১ তাইৰ সকলো প্ৰজাই
অন্ন বিচাৰি দুখত কেঁকাই আছে। তেওঁলোকে আহাৰ খাই পুনৰ জীৱন
প্ৰতিষ্ঠা কৰিবলৈ নিজ নিজ মনোহৰ বস্তুবোৰ দিলে। হে যিহোৱা,
চাওঁক আৰু মোৰ বিষয়ে বিবেচনা কৰক, কিয়নো মই অযোগ্য হ'লো।
১২ হে বাটৰুৱাসকল, এয়ে তোমালোকৰ দৃষ্টিত একোকে নহয় নে?
বিচাৰ কৰা আৰু চোৱা, মোলৈ কৰা মোৰ এই দুখৰ নিচিনা আৰু
দুখ হ'ব পাৰেনে? কিয়নো যিহোৱাই নিজৰ প্ৰচণ্ড ক্ৰোধৰ দিনা
মোক যন্ত্ৰণা দিলে। ১৩ তেওঁ ওপৰৰ পৰা মোৰ হাড়বোৰৰ মাজলৈ
অগ্নি পঠিয়ালে আৰু সেয়ে হাড়বোৰক জ্বলাই পেলালে। তেওঁ মোৰ
ভৰিত জাল পাতিলে আৰু মোক ঘূৰাই আনিলে। তেওঁ মোক সঘনাই
পৰিত্যক্ত আৰু শক্তিহীন কৰিলে। ১৪ মোৰ অপৰাধৰূপ যুৱলি, তেওঁৰ
হাতেৰে বন্ধা হ'ল। সেইবোৰক একেলগে গোঁঠি মোৰ ডিঙিত পিন্ধাই
দিয়া হ'ল। তেওঁ মোক শক্তিহীন কৰিলে। যি সকলৰ বিৰুদ্ধে মই থিয়
হ'ব নোৱাৰোঁ, তেওঁলোকৰ হাতত যিহোৱাই মোক সমৰ্পণ কৰিলে।
১৫ মোক ৰক্ষা কৰা মোৰ আটাই বীৰকে প্ৰভুৱে তুচ্ছ কৰিলে। তেওঁ
মোৰ বলৱান লোকসকলক গুৰি কৰিবলৈ মোৰ অহিতে এখন সভা
আহ্বান কৰিলে। প্ৰভুৱে মোৰ যিহূদা-জীয়াৰীক দ্ৰাক্ষাকুণ্ডত গচকা দি
গচকিলে। ১৬ এইবোৰ কথাৰ কাৰণে মই কান্দিছোঁ। মোৰ চকুৰ পৰা
পানী বৈ গৈছে; কিয়নো মোৰ প্ৰাণ জুৰাব পৰা শান্ত্বনাকাৰীজন মোৰ
পৰা আঁতৰত আছে। শত্ৰু জয়ী হোৱাত মোৰ সন্তান সকল অৱহেলিত
হ'ল। ১৭ চিয়োনে সহায়ৰ বাবে বহলকৈ হাত মেলিছে; তাইক শান্তনা
দিবলৈ কোনো নাই। যাকোবৰ চাৰিওফালে থকা লোকসকলক, তাইৰ
শত্ৰু হ'বলৈ যিহোৱাই আজ্ঞা দিছে। তেওঁলোকৰ মাজত যিৰূচালেম
অশুচি বস্তু যেন হ'ল। ১৮ যিহোৱা ধাৰ্মিক, কিয়নো মই তেওঁৰ আজ্ঞাৰ
বিৰুদ্ধে বিদ্ৰোহ কৰিলোঁ। হে জাতি সমূহ শুনা, মই তোমালোকক

বিনয় কৰোঁ আৰু মোৰ দুখলৈ মন কৰা। মোৰ যুৱতী আৰু বীৰসকল বন্দী অৱস্থালৈ গ’ল। ১৯ মই মোৰ প্ৰেমকাৰীসকলক মাতিলোঁ, কিন্তু তেওঁলোক মোৰ প্ৰতি বিশ্বাসঘাতক হ’ল। যেতিয়া নিজ প্ৰাণ ৰক্ষা কৰিবৰ বাবে তেওঁলোকে আহাৰ বিচাৰিছিল; তেতিয়া মোৰ পুৰোহিত আৰু পৰিচাৰক সমূহে নগৰত প্ৰাণ ত্যাগ কৰিলে। ২০ হে যিহোৱা, চাওঁক, মই সঙ্কটত পৰিলোঁ; মোৰ হৃদয় অত্যন্ত দুখিত হৈছে। মোৰ অন্তৰত মোৰ হৃদয় বিকৃত হ’ল, কাৰণ মই অত্যন্ত বিদ্ৰোহ কৰিলোঁ। বাহিৰত আমাক তৰোৱালেৰে নিঃসন্তান কৰিছে; আৰু ঘৰত যেন মৃত্যুহে উপস্থিত হৈছে। ২১ মোৰ কেঁকনি শুনক। মোক শান্ত্বনা দিবলৈ কোনো নাই। মোৰ আটাই শত্ৰুৱে মোৰ দুৰৱস্থাৰ বিষয়ে শুনিলে, আৰু আপুনি যে এনে অৱস্থা কৰিলে, সেই কাৰণে তেওঁলোক আনন্দিত হৈছে। আপুনি যি দিনৰ বিষয়ে ঘোষণা কৰিলে, সেই দিন উপস্থিত কৰক, তেতিয়া তেওঁলোকো মোৰ দৰে হ’ব। ২২ তেওঁলোকৰ সকলো দুষ্টতা আপোনাৰ আগত উপস্থিত হওঁক, মোৰ সকলো অপৰাধৰ কাৰণে আপুনি মোলৈ কৰা নিচিনাকৈ তেওঁলোকলৈকো কৰক; কিয়নো মোৰ দুখৰ কেঁকনি অনেক আৰু মোৰ অন্তৰ দুৰ্বল।

২ প্ৰভুৱে নিজ ক্ৰোধত কেনে এটা ডাঙৰ মেঘেৰে চিয়োন-জীয়াৰীক সম্পূৰ্ণৰূপে ঢাকিলে! তেওঁ স্বৰ্গৰ পৰা ইস্ৰায়েলৰ শোভাক পৃথিৱীলৈ পঠিয়াই দিলে; আৰু নিজ ক্ৰোধৰ দিনত নিজৰ ভৰি-পীৰালৈ সোঁৱৰণ নকৰিলে। ২ প্ৰভুৱে দয়া নকৰি যাকোবৰ সকলো নগৰবোৰ গ্ৰাস কৰিলে। তেওঁ নিজ ক্ৰোধত যিহূদা-জীয়াৰীৰ দুৰ্গবোৰ ভাঙি পেলালে; তেওঁ সেইবোৰক অপমানেৰে মাটিৰ সমান কৰিলে, সেই ৰাজ্য আৰু তাইৰ ৰাজকুমাৰসকলক অপবিত্ৰ কৰিলে। ৩ তেওঁ প্ৰচণ্ড ক্ৰোধত ইস্ৰায়েলৰ সকলো শক্তি ছেদন কৰিলে। তেওঁ শত্ৰুৰ সন্মুখৰ পৰা নিজৰ সোঁ হাত কোঁচালে। আৰু চাৰিওফালে সকলো গ্ৰাস কৰোঁতা জ্বলন্ত অগ্নিশিখাৰ দৰে তেওঁ যাকোবক দগ্ধ কৰিলে। ৪ শত্ৰুৰ নিচিনাকৈ তেওঁৰ নিজৰ ধনু আমাৰ দিশে ভাঁজ কৰিলে। তেওঁ যুদ্ধত থকা শত্ৰুৰ দৰে, আমালৈ মাৰি পঠিয়াবৰ বাবে নিজ হাতক সাজু কৰালে। তেওঁৰ দৃষ্টিত তৃপ্তিজনক সকলোকে বধ কৰিলে। চিয়োন-

জিয়াৰীৰ তম্বুৰ ওপৰত তেওঁ নিজৰ ক্ৰোধ অগ্নিৰ দৰে বৰষালে। ৫
প্ৰভুৱে শত্ৰু যেন হ'ল। তেওঁ ইস্ৰায়েলক গ্ৰাস কৰিলে। তেওঁ ইস্ৰায়েলৰ
আটাই ৰাজ-অট্টালিকাবোৰ গ্ৰাস কৰিলে; আৰু তাৰ দুৰ্গবোৰ ধ্বংস
কৰিলে। তেওঁ যিহূদা-জীয়াৰীৰ মাজত শোক আৰু বিলাপ বঢ়ালে।
৬ তেওঁ নিজ তম্বু বাৰীৰ টঙি ধ্বংস কৰাৰ দৰে ধ্বংস কৰিলে আৰু
নিজৰ সমাজ পতা ঠাই বিনষ্ট কৰিলে। যিহোৱাই চিয়োনত পৰ্ব্ব
আৰু বিশ্ৰাম দিন পাহৰালে, কিয়নো তেওঁৰ প্ৰচণ্ড ক্ৰোধত ৰজা
আৰু পুৰোহিতসকলক তেওঁ হেয়জ্ঞান কৰিলে। ৭ প্ৰভুৱে তেওঁৰ
যজ্ঞবেদী অগ্ৰাহ্য কৰিলে; আৰু তেওঁৰ পবিত্ৰ স্থান ঘিণ কৰিলে। তেওঁ
তাইৰ অট্টালিকাৰ গড়বোৰ শত্ৰুৰ হাতত সমৰ্পণ কৰিলে। তেতিয়া
তেওঁলোকে পৰ্ব্বদিনৰ নিচিনাকৈ যিহোৱাৰ গৃহত জয়েৰে কোলাহল
কৰিলে। ৮ যিহোৱাই উদ্দেশ্যমূলকভাৱে চিয়োন-জীয়াৰীৰ গড় নষ্ট
কৰিবলৈ মনস্থ কৰিলে। তেওঁ পৰিমান-জৰী পাৰি সেই গড় বিনষ্ট
কৰাৰ পৰা তেওঁৰ হাত নোকোঁচালে। আৰু তেওঁ দুৰ্গৰ চৰিওফালে থকা
গড়বোৰক বিলাপ কৰালে আৰু দুৰ্গবোৰ শক্তিহীন কৰিলে। ৯ চিয়োন-
জীয়াৰীৰ দুৱাৰবোৰ মাটিত পোত গ'ল; চিয়োনৰ দুৱাৰৰ ডাংবোৰ
যিহোৱাই নষ্ট কৰিলে আৰু ভাঙিলে। তাইৰ ৰজা আৰু ৰাজকুমাৰসকল
অনা-ইহুদীসকলৰ মাজত আছে, য'ত মোচিৰ কোনো বিধান নাই।
আনকি তাইৰ ভাববাদীসকলে যিহোৱাৰ পৰা কোনো দৰ্শন পোৱা
নাছিল। ১০ চিয়োন-জীয়াৰীৰ বৃদ্ধসকলে মাটিত বহি নীৰৱে শোক কৰি
আছে। তেওঁলোকে নিজ নিজ মূৰত ধূলি ছটিয়াইছে; আৰু কঁকালত চট
কাপোৰ বান্ধিছে। যিৰূচালেমৰ কুমাৰীসকলে মাটিলৈ মূৰ দোঁৱাই
আছে। ১১ মোৰ চকু-লো বন্ধ হৈ ৰঙা হ'ল; মোৰ হৃদয় অত্যন্ত দুখিত
হৈছে। মোৰ জাতিস্বৰূপ জীয়াৰীৰ লোকসকলৰ ধ্বংসৰ কাৰণে মোৰ
কলিজাৰ পিত্তপানী মাটিত ঢলা হৈছে, কিয়নো নগৰৰ বাটবোৰত
শিশু আৰু পিয়াহ খোৱা কেঁচুৱাসকল মুৰ্চ্ছিত হৈছে আৰু মৃত্যুৰ মুখত
পৰিছে। ১২ "আহাৰ আৰু দ্ৰাক্ষাৰস ক'ত?" এই বুলি তেওঁলোকে
নিজ নিজ মাতৃসকলক প্ৰশ্ন কৰে। সিহঁত নগৰৰ বাটবোৰত আহত
হোৱা মানুহৰ দৰে মুৰ্চ্ছিত হৈছে, আৰু নিজ নিজ মাতৃৰ কোলাত

প্ৰাণত্যাগ কৰিছে। ১৩ হে যিৰূচালেম-জীয়াৰী, তোমাৰ বিষয়ে মই
কি সাক্ষ্য দিম? তোমাক শান্ত্বনা দিবৰ বাবে তোমাৰে সৈতে কিহৰ
তুলনা দিম? হে কুমাৰী চিয়োন-জীয়াৰী, কিয়নো তোমাৰ ভঙা-ৰূপ
সাগৰৰ দৰে বৃহৎ; কোনে তোমাক সুস্থ কৰিব পাৰে? ১৪ তোমাৰ
ভাববাদীসকলে তোমাৰ পক্ষে মিছা আৰু মুৰ্খতাৰ দৰ্শন পালে। আৰু
তোমাৰ সম্পত্তিবোৰ পুনৰায় ঘূৰাই পাবলৈ তেওঁলোকে তোমাৰ
অপৰাধবোৰ প্ৰকাশ নকৰিলে, কিন্তু তেওঁলোকে দৰ্শন পাই তোমাৰ
পক্ষে অসাৰ্থক বাণী আৰু দেশান্তৰৰ কাৰণ প্ৰচাৰ কৰিলে। ১৫ আটাই
বাটৰুৱাই তোমাক দেখি হাত-তালি দিছে। তেওঁলোকে যিৰূচালেম-
জীয়াৰীক সুহুৰিয়াই মূৰ জোকাৰি কয় বোলে, “পৰম সুন্দৰী আৰু
গোটেই পৃথিৱীৰ আনন্দদায়িনী বুলি মানুহে কোৱা নগৰী এইখনেই
নে?” ১৬ তোমাৰ আটাই শত্ৰুৱে তোমাৰ অহিতে মুখ বহলকৈ মেলিলে
আৰু তোমাৰ বিপক্ষে ঠাট্টা কৰিলে। তেওঁলোকে সুহুৰিয়াই আৰু দাঁত
কৰচি কয়, “আমি তাইক গ্ৰাস কৰিলোঁ। আমি বাট চাই থকা দিন,
নিশ্চয় এই দিনটোৱেই; আমি পালোঁ, আমি দেখিলোঁ!” ১৭ যিহোৱাই
নিজেই কৰা সংকল্প সিদ্ধ কৰিলে, পূৰ্বকালত আজ্ঞা কৰা তেওঁৰ বাক্য
পূৰ্ণ কৰিলে। তেওঁ দয়া নকৰি ভাঙি পেলালে, আৰু তাৰ ওপৰত শত্ৰুক
আনন্দ কৰালে; তেওঁ তোমাৰ বৈৰীবোৰৰ শিংটো উন্নত কৰিলে। ১৮
তেওঁলোকে মনতে প্ৰভুৰ আগত কাতৰোক্তি কৰি ক’লে, “হে চিয়োন-
জীয়াৰীৰ গড়, দিনে-ৰাতিয়ে চকু লো নৈৰ নিচিনাকৈ বৈ থাকক। তুমি
নিজকে অলপো বিশ্ৰাম নিদিবা। তোমাৰ চকুৰ মনিক শান্ত হ’বলৈ
নিদিবা। ১৯ উঠা আৰু প্ৰত্যেক প্ৰহৰৰ আৰম্ভণতে ৰাতি চিঞৰি
কান্দা প্ৰভুৰ আগত তোমাৰ হৃদয় পানীৰ দৰে ঢালি দিয়া। তোমাৰ যি
শিশুসকলক প্ৰত্যেক আলিৰ মূৰত ভোকত মূৰ্চ্ছিত হৈছে, তেওঁলোকৰ
প্ৰাণৰক্ষাৰ অৰ্থে তেওঁলৈ হাত তোলা।” ২০ হে যিহোৱা, বিবেচনা
কৰি চোৱা, তুমি যি জনলৈ এনে ব্যৱহাৰ কৰিছা। মহিলাসকলে
হাত নিচুকুৱা সন্তান নিজৰ গৰ্ভফলক ভক্ষণ কৰিবনে? পুৰোহিত
আৰু ভাববাদীক প্ৰভুৰ পবিত্ৰ স্থানত বধ কৰা হ’ব নে? ২১ ডেকা
আৰু বুঢ়া লোক, আলিবাটৰ মাটিত পৰি আছে। মোৰ যুৱতী আৰু

যুৱকসকল তৰোৱালৰ দ্বাৰাই পতিত হৈছে। তুমি তোমাৰ ক্ৰোধৰ
দিনাত তেওঁলোকক বধ কৰিলা; তুমি দয়া নকৰি হত্যা কৰিলা। ২২
তুমি পৰ্ব্বদিনৰ নিচিনাকৈ চাৰিওফালৰ পৰা মোলৈ নানা ত্ৰাস মাতিলা;
আৰু যিহোৱাৰ ক্ৰোধৰ দিনত ৰক্ষা পোৱা, অৱশিষ্ট কোনো নাছিল।
মই নিচুকাই ডাঙৰ-দীঘল কৰা সকলক মোৰ শত্ৰুৱে সংহাৰ কৰিলে।

৩ যিহোৱাৰ ক্ৰোধৰ দণ্ডৰ দ্বাৰাই দুখ ভোগ কৰা পুৰুষজন মৱেই। ২
তেওঁ মোক খেদি পঠিয়ালে আৰু মোক পোহৰত নহয়, কিন্তু অন্ধকাৰৰ
পথতহে গমন কৰালে। ৩ নিশ্চয়কৈ তেওঁ মোক বিমুখ কৰিলে; ওৰে
দিনটো তেওঁ মোৰ অহিতে নিজ হাত চলায়। ৪ তেওঁ মোৰ মাংস
আৰু ছাল জীৰ্ণ কৰিলে; তেওঁ মোৰ হাড়বোৰ ভাঙিলে। ৫ তেওঁ
মোৰ অহিতে চাৰিওফালে তিক্ততা আৰু শ্ৰান্তিৰূপ গড়েৰে অৱৰোধ
কৰিলে। ৬ বহু সময় ধৰি মৃত্যু হোৱা মানুহৰ দৰে, তেওঁ মোক
অন্ধকাৰ ঠাইবোৰত বাস কৰালে। ৭ মই ওলাই যাব নোৱাৰাকৈ তেওঁ
মোৰ চাৰিওফালে বেৰা দিলে। তেওঁ মোৰ শিকলি গধূৰ কৰিলে। ৮
যদিও মই সহায়ৰ বাবে চিঞৰি কাতৰোক্তি কৰিছোঁ, তথাপি তেওঁ
মোৰ প্ৰাৰ্থনালৈ কাণ নিদিয়ে। ৯ তেওঁ মোৰ পথবোৰ কটা শিলেৰে
বন্ধ কৰিলে; মই লোৱা প্ৰতিটো বাটেই বেঁকা। ১০ মোৰ পক্ষে তেওঁ
খাপ দি থকা ভালুক, গুপুত ঠাইত থকা সিংহৰ দৰে। ১১ তেওঁ মোৰ
বাট আওবাট কৰিলে। তেওঁ মোক চকুলোৰে পৃথক কৰিলে, আৰু
মোক অনাথ কৰিলে। ১২ তেওঁ নিজৰ ধনু ভিৰাই ল'লে আৰু মোলৈ
লক্ষ্য কৰি কাঁড় মাৰিলে। ১৩ তেওঁ নিজৰ তূণৰ বাণ মোৰ মৰ্ম্মস্থানত
সুমুৱালে। ১৪ মই মোৰ লোকসকলৰ হাহি উদ্ৰেক কৰা ব্যক্তি হৈ
পৰিলোঁ, দিনে দিনে তেওঁলোকৰ বিদ্ৰূপাত্মক গানৰ বিষয় হৈছোঁ।
১৫ তেওঁ মোক তিতাৰে পূৰ কৰিলে আৰু মোক অধিককৈ নাগদানা
খুৱালে। ১৬ খোৱা বস্তুত মিহলি হোৱা শিল গুটিৰে তেওঁ মোৰ দাঁতো
ভাঙিলে; তেওঁ মোক ছাঁইলৈ ঠেলি পঠিয়ালে। ১৭ তুমি মোৰ জীৱনৰ
পৰা শান্তি আঁতৰ কৰিলা; মই মঙ্গল পাহৰিলোঁ। ১৮ গতিকে মই
ক'লো, "মোৰ জাকজমকতা শেষ হৈ গ'ল, সেয়ে মোৰ আশা অৱশ্যেই
যিহোৱাৰ পৰা আহিব!" ১৯ মোৰ দুখ আৰু তাড়না সোঁৱৰণ কৰোঁতে,

মই নাগদানা আৰু বিহ সোঁৱৰণ কৰোঁ। ২০ মোৰ প্ৰাণৰ সোঁৱৰণত
সেইবোৰ এতিয়াও আছে আৰু মোৰ প্ৰাণ মোৰ অন্তৰত নত হৈছে। ২১
কিন্তু মোৰ মনত ইয়াক পুনৰায় সোঁৱৰণ কৰোঁ, এই হেতুকে মোৰ
আশা আছে। ২২ আমি যে সম্পূৰ্ণ শেষ নহলোঁ, এইটোৱে যিহোৱাৰ
বিশ্বাসযোগ্য নিয়ম; কিয়নো তেওঁৰ কৰুণাময় কাৰ্যৰ শেষ নাই! ২৩
তেওঁৰ কৰুণাময় কাৰ্য প্ৰতি প্ৰভাততে নতুন হয়; তোমাৰ বিশ্বস্ততা
মহৎ! ২৪ মোৰ প্ৰাণে কয়, "যিহোৱায়েই মোৰ অংশ," এই হেতুকে মই
তেওঁত ভাৰসা কৰিম। ২৫ যিহোৱালৈ অপেক্ষা কৰোঁতা সকললৈ,
তেওঁক বিচাৰোঁতাসকলৰ জীৱনলৈ তেওঁ মঙ্গলময়। ২৬ যিহোৱাৰ
পৰিত্ৰাণলৈ আশা কৰি নীৰৱে বাট চাই থকাই ভাল। ২৭ যৌৱন-কালত
যুৱলি বোৱাই মানুহৰ পক্ষে মঙ্গলময়। ২৮ তেওঁ তাৰ ওপৰত যুৱলি
দিয়াৰ কাৰণে সি অকলেই বহি থাকক আৰু নিজম দি থাকক। ২৯
সি নিজৰ মুখ ধূলিত ৰাখক; কিজানি আশা হ'ব পাৰে। ৩০ সি তাৰ
প্ৰহাৰ কৰা জনলৈ গাল পাতি দিয়ক, সি নিন্দাৰে পৰিপূৰ্ণ হওঁক, ৩১
যাতে প্ৰভুৱে চিৰকাললৈকে তাক ত্যাগ নকৰিব! ৩২ যদিও তেওঁ
কষ্ট দিয়ে, তথাপি তেওঁৰ অধিক দয়া অনুসাৰে কৃপা কৰিব। ৩৩
কিয়নো তেওঁ নিজ ইচ্ছাৰে কষ্ট নিদিয়ে, বা মানুহৰ সন্তান সকলক
বেজাৰ নিদিয়ে। ৩৪ পৃথিৱীৰ আটাই বন্দীবোৰক ভৰিৰ তলত গুড়ি
কৰা, ৩৫ সৰ্ব্বোপৰি জনাৰ আগত মানুহৰ স্বত্ব গুচুউৱা, ৩৬ আৰু
মানুহৰ গোচৰত তাক অন্যায় কৰা - যিহোৱাই জনো সেইবোৰৰ
বিষয়ে নেদেখে? ৩৭ প্ৰভুৱে আজ্ঞা নকৰাকৈ, কোন ব্যক্তিয়ে কোৱা
বাক্য সিদ্ধ হয়? ৩৮ সৰ্ব্বোপৰি জনাৰ মুখৰ পৰা মঙ্গল আৰু অমঙ্গল
নোলায়? ৩৯ জীৱিত মানুহে কিয় আপত্তি কৰে? মানুহে নিজ পাপৰ
দণ্ডৰ বাবে কিয় আপত্তি কৰে? ৪০ আহাঁ, আমি বিচাৰ কৰি আমাৰ
নিজ পথবোৰ পৰীক্ষা কৰোঁহক আৰু পুনৰায় যিহোৱালৈ ঘূৰোহঁক। ৪১
স্বৰ্গনিবাসী ঈশ্বৰলৈ আমাৰ হৃদয় আৰু হাত তুলি প্ৰাৰ্থনা কৰোঁহক।
৪২ "আমি অপৰাধ আৰু বিদ্ৰোহ কৰিলোঁ, সেয়ে তুমিও আমাক ক্ষমা
নকৰিলা। ৪৩ তুমি নিজকে ক্ৰোধেৰে ঢাকিলা আৰু আমাক পাছে পাছে
খেদিলা। তুমি আমাক হত্যা কৰিলা, আৰু আমাক তুমি দয়া নকৰিলা।

৪৪ তুমি নিজকে মেঘে সৈতে ঢাকিলা, সেয়ে কোনো প্ৰাৰ্থনাই ভেদ
কৰিব নোৱাৰিলে। ৪৫ তুমি আমাক লোক সমূহৰ মাজত পৰিত্যক্ত
আৰু অস্বীকাৰ কৰিলা। ৪৬ আমাৰ আটাই শত্ৰুৱে আমাৰ অহিতে
মুখ বহলকৈ মেলি ঠাট্টা কৰিলে। ৪৭ সেই গাতৰ ভয়, নিৰ্জনতা
আৰু নিষ্পেষণ, আমালৈ একেলগে আহিছে।" ৪৮ মোৰ জাতিস্বৰূপা
জীয়াৰীৰ নিষ্পেষণৰ কাৰণে, মোৰ চকুৰ পৰা পানীৰ সোঁত বৈছে। ৪৯
মোৰ চকুৰ পানী নিগৰে, আৰু ই ক্ষান্ত নহয় আৰু শেষ নোহোৱাকৈ
নিগৰে; ৫০ যেতিয়ালৈকে যিহোৱাই স্বৰ্গৰ পৰা তললৈ চাই দৃষ্টি
নকৰে। ৫১ মোৰ নগৰৰ আটাই জীয়াৰীৰ কাৰণে মোৰ চকুৱে মোৰ
প্ৰাণক দুখ দিছে। ৫২ শত্ৰুবোৰে বিনাকাৰণত পক্ষী চিকাৰ কৰাৰ
দৰে, মোক নিৰ্দয়ভাবে চিকাৰ কৰিলে। ৫৩ তেওঁলোকে অন্ধকূপত
মোৰ প্ৰাণ সংহাৰ কৰিলে আৰু মোৰ ওপৰত এটা শিল ৰাখি হ'ল। ৫৪
মোৰ মূৰৰ ওপৰেদি পানী বৈ গ'ল; মই কলোঁ যে, "মই উচ্ছন্ন হলোঁ!"
৫৫ হে যিহোৱা, মই দ অন্ধকূপৰ পৰা তোমাৰ নাম ললোঁ। ৫৬ যেতিয়া
মই ক'লো, "সহায় পাবলৈ কৰা মোৰ কাতৰোক্তিলৈ তুমি কাণত সোপা
নিদিবা।" তেতিয়া তুমি মোৰ ধ্বনি শুনিলা। ৫৭ তোমাৰ নাম লোৱা
দিনত, তুমি ওচৰ চাপি আহি ক'লা, "ভয় নকৰিবা!" ৫৮ হে প্ৰভু,
তুমি মোৰ প্ৰাণৰ অভিযোগ প্ৰতিবাদ কৰিলা; তুমি মোৰ জীৱন মুক্ত
কৰিলা। ৫৯ হে যিহোৱা, তেওঁলোকে মোলৈ কৰা অন্যায় তুমি দেখিছা;
মোৰ গোচৰ বিচাৰ কৰা। ৬০ তেওঁলোকৰ আটাই প্ৰতিকাৰৰ কাৰ্য
আৰু মোৰ অহিতে কৰা তেওঁলোকৰ সকলো আলচ তুমি দেখিলা। ৬১
হে যিহোৱা, তেওঁলোকৰ ধিক্কাৰ আৰু মোৰ অহিতে কৰা তেওঁলোকৰ
সকলো আলোচনা তুমি শুনিলা। ৬২ তুমি মোৰ অহিতে উঠাবোৰৰ
ওঁঠৰ বাক্য আৰু গোটেই দিন মোৰ বিৰুদ্ধে কৰা তেওঁলোকৰ কল্পনা
শুনিলা। ৬৩ তুমি তেওঁলোকৰ বহা আৰু উঠা দেখা; মই তেওঁলোকৰ
ঠাট্টাৰ গানৰ বিষয়। ৬৪ হে যিহোৱা, তেওঁলোকৰ হাতৰ কাৰ্য অনুসাৰে
তুমি তেওঁলোকক প্ৰতিফল দিয়া। ৬৫ তুমি তেওঁলোকক মনৰ জঠৰতা
প্ৰদান কৰা; তোমাৰ শাও তেওঁলোকৰ ওপৰত পৰক। ৬৬ তুমি

ক্ৰোধত তেওঁলোকৰ পাছে পাছে খেদি যোৱা আৰু যিহোৱাৰ আকাশ-
মণ্ডলৰ তলৰ পৰা তেওঁলোকক উচ্ছন্ন কৰা।

**৪** সুবৰ্ণ কেনে মলিন হল! অতি শুদ্ধ সোণ কেনে পৰিৱৰ্তন হ'ল। পবিত্ৰ
পাথৰবোৰ প্ৰত্যেক আলিৰ মুৰত পেলোৱা হ'ল। ২ উত্তম সোণৰ
তুল্য চিয়োনৰ বহুমূল্য পুত্ৰসকল কুমাৰৰ হাতৰ কৰ্ম মাটিৰ কলহ
যেন কেনে গণ্য হ'ল! ৩ শিয়ালবোৰেও নিজ নিজ পোৱালিবোৰক
পিয়াহ দি প্ৰতিপালনকাৰিণী হয়, কিন্তু মোৰ নিজৰ লোকসকলৰ
জীয়ৰীসকলে হ'লে অৰণ্যত থকা উট পক্ষীৰ নিচিনা নিষ্ঠুৰ হ'ল। ৪
পিয়াহ খোৱা কেঁচুৱাৰ জিভা পিয়াহত তালুত লাগিল; শিশুসকলে
পিঠা খুজিছে, কিন্তু কোনেও তেওঁলোকক দিয়া নাই। ৫ সুখাদ্য
খোৱাসকলে আলিত অনাথ হৈ পৰি আছে; ৰঙা বিছনাত শুই ডাঙৰ-
দীঘল হোৱা সকলে গোবৰৰ দ'ম সাবটিছে। ৬ মোৰ জাতিস্বৰূপা
জীয়ৰী সকলৰ অপৰাধ, সেই চদোমৰ পাপতকৈয়ো অধিক, যি
চদোম মুহুৰ্ত্ততে বিনষ্ট হৈছিল, যদিও কোনো হাতে তাইক ক্ষতিগ্ৰস্ত
কৰা নাছিল। ৭ তেওঁৰ প্ৰধান লোকসকল হিমতকৈয়ো নিৰ্ম্মল, এঁৱা
গাখীৰতকৈয়ো বগা আছিল। তেওঁলোকৰ গা পদ্মৰাগ মণিতকৈয়ো
ৰঙা আছিল; তেওঁলোকৰ উজ্বলতা নীলকান্ত মণিৰ সদৃশ আছিল। ৮
এতিয়া তেওঁলোকৰ মুখ এঙাৰতকৈ ক'লা হ'ল, আৰু তেওঁলোকক
আলিবাটত চিনি পোৱা নাযায়। তেওঁলোকৰ ছাল হাড়ত লাগিল। ই
শুকাই কাঠ যেন হ'ল। ৯ ভোকত মৰা লোকতকৈ তৰোৱালৰ দ্বাৰাই
হত হোৱা লোক ধন্য, কিয়নো তেওঁলোক পথাৰত উৎপন্ন হোৱা শস্যৰ
অভাৱত ভোকৰূপ তৰোৱালেৰে খোচা যেন হৈ ক্ষীণাই গৈছে। ১০
স্নেহৱতী মহিলাসকলে নিজ হাতেৰে নিজ নিজ সন্তান সিজালে; মোৰ
জাতিস্বৰূপা জীয়াৰীৰ সংহাৰৰ কালত সিহঁত তেওঁলোকৰ খোৱা বস্তু
যেন হৈছে। ১১ যিহোৱাই নিজৰ ক্ৰোধ সিদ্ধ কৰিলে, নিজৰ প্ৰচণ্ড ক্ৰোধ
বৰষালে; তেওঁ চিয়োনত জুই জ্বলালে, সেয়ে তাৰ ভিত্তিমূলবোৰ গ্ৰাস
কৰিলে। ১২ ইয়াক পৃথিৱীৰ ৰজাসকলে নাইবা আটাই জগত নিবাসীয়ে
বিশ্বাস নকৰিব যে, শত্ৰু আৰু বৈৰী যিৰূচালেমৰ দুৱাৰত সোমাব
পাৰে। ১৩ সেই ভাববাদীসকলৰ পাপৰ আৰু সেই পুৰোহিতসকলৰ

অপৰাধৰ বাবে এয়ে ঘটিল তাৰ যি ভাববাদীসকলে আৰু তাৰ যি
পুৰোহিতসকলে তাৰ ভিতৰত ধাৰ্মিকসকলৰ ৰক্তপাত কৰিছিল।
১৪ সিহঁতে অন্ধ লোকসকলৰ দৰে আলিত ভ্ৰমণ কৰিছিল। সিহঁত
তেজেৰে এনেকৈ অশুচি হৈছিল, যে, লোকসকলে সিহঁতৰ কাপোৰ চুব
নোৱাৰিছিল। ১৫ লোকসকলে সিহঁতক ৰিঙিয়াই কৈছিল, “গুচ, হে
অশুচি, গুচ, গুচ, নুচুবি!” সিহঁতে পলাই ভ্ৰমণ কৰোঁতে, লোকসকলে
জাতিবোৰৰ মাজত কৈছিল, “সিহঁত এই ঠাইত পুনৰ বিদেশী হৈ
নাথাকিব!” ১৬ যিহোৱাৰ ক্ৰোধে সিহঁতক ছিন্ন-ভিন্ন কৰিলে; তেওঁ
সিহঁতলৈ পুনৰ দৃষ্টি নকৰিব। লোক সকলে সেই পুৰোহিতসকলক
সন্মান নকৰিলে, সেই বৃদ্ধসকলক দয়া নকৰিলে। ১৭ আমি সহায়ৰ
বাবে বৃথা আশা কৰোঁতে, আমাৰ চকু দুৰ্বল হৈ গ’ল, ৰক্ষা কৰিব
নোৱাৰা এক জাতিৰ বাবে আমি আমাৰ প্ৰহৰী-ঘৰত চাই আছিলোঁ।
১৮ শত্ৰুবোৰে আমাৰ খোজলৈ এনেকৈ খাপ দি আছিল যে, আমাৰ
চকবোৰত আমি ফুৰিব নোৱাৰিলোঁ। আমাৰ অন্তিম ওচৰ, আমাৰ
দিন ওৰ পৰিল; কিয়নো আমাৰ অন্তিম উপস্থিত। ১৯ আমাৰ পাছে
পাছে খেদি অহাবোৰ আকাশৰ কুৰ পক্ষীতকৈও বেগী আছিল। সিহঁতে
পৰ্ব্বতত আমাক ধৰোঁধৰোঁকৈ খেদিলে, সিহঁতে মৰুপ্ৰান্তত আমাৰ
বাবে খাপ দিলে। ২০ আমাৰ নাকৰ নিশ্বাসস্বৰূপ যিহোৱাৰ সেই
অভিষিক্ত জনক সিহঁতৰ গাতত ধৰা হ’ল, যি জনৰ বিষয়ে আমি
কৈছিলোঁ, “জাতি সমূহৰ মাজত আমি তেওঁৰ ছাঁত জীয়াই থাকিম।”
২১ হে উচ দেশীয় ইদোম নিবাসিনী জীয়ৰী সকল উল্লাস কৰা আৰু
আনন্দিত হোৱা, কাৰণ পান-পাত্ৰটি পাৰ হৈ তোমাৰ ওচৰলৈকো যাব।
তাতে তুমি মতলীয়া হৈ নিজকে বিবস্ত্ৰ কৰিবা। ২২ হে চিয়োন-জীয়াৰী,
তোমাৰ অপৰাধৰ দণ্ড সম্পূৰ্ণ হ’ল; তেওঁ পুনৰ তোমাক বন্দী অৱস্থালৈ
নিনিব। কিন্তু হে ইদোম-জীয়াৰী, তেওঁ তোমাৰ অপৰাধৰ প্ৰতিফল
দিব; তেওঁ তোমাৰ পাপ প্ৰকাশ কৰিব।

**৫** হে যিহোৱা, আমালৈ যি ঘটিল, তাক সোঁৱৰণ কৰা। দৃষ্টি কৰা আৰু
আমাৰ অপমান চোৱা। ২ আমাৰ আধিপত্য বিদেশীসকলৰ হাতলৈ
গ’ল; আমাৰ ঘৰবোৰ বিজাতীয়সকলৰ অধিকাৰলৈ গ’ল। ৩ আমি

অনাথ আৰু পিতৃহীন হলোঁ, আমাৰ মাতৃসকল বিধৱা যেন হ'ল। ৪
আমাৰ পানী আমি ধন দি পান কৰোঁ আৰু আমাৰ খৰি আমি দাম দি
কিনো। ৫ আমাৰ তাড়নাকাৰীবোৰে আমাৰ ডিঙিত যুৱলি লগাইছে।
আমি শ্ৰান্ত হলোঁ আৰু অলপো বিশ্ৰাম নাপাওঁ। ৬ আমি মিচৰীয়াহঁতৰ
ফালে হাত মেলিলো, আৰু আহাৰেৰে তৃপ্ত হ'বৰ বাবে অচূৰীয়াহঁতলৈ
হাতযোৰ কৰিলোঁ। ৭ আমাৰ পূৰ্বপুৰুষসকলে পাপ কৰিলে, আৰু
তেওঁলোক এতিয়া নাই, আমি তেওঁলোকৰ অপৰাধৰ ভাৰ বৈছোঁ।
৮ আমাৰ ওপৰত বন্দীবোৰে শাসন কৰে, তেওঁলোকৰ হাতৰ পৰা
আমাক উদ্ধাৰ কৰোঁতা কোনোৱেই নাই। ৯ আমাৰ প্ৰাণৰ সংশয়েৰেহে
আমি আমাৰ আহাৰ আনো, অৰণ্যৰ তৰোৱালৰ কাৰণে, ১০ দুৰ্ভিক্ষৰ
জ্বলন্ত তাপৰ কাৰণে; আমাৰ ছাল তন্দুৰৰ নিচিনাকৈ জ্বলে। ১১
শত্ৰুবোৰে চিয়োনত মহিলাসকলক বলাৎকাৰ কৰিলে, সিহঁতে যিহূদা
নগৰবোৰত কুমাৰীসকলক ভ্ৰষ্টা কৰিলে। ১২ প্ৰধান লোকসকলক
হাতত ডোল লগাই ওলোমাই দিয়া হ'ল, বৃদ্ধাসকলৰ মুখক আদৰ
কৰা নহ'ল। ১৩ ডেকাসকলে জাঁত-শিল বলে, আমাৰ লৰাসকলে
খৰিৰ ভৰত উজুটি খালে। ১৪ বৃদ্ধসকলে ঘৰ-দুৱাৰ ত্যাগ কৰিলে,
ডেকাসকলে গানবাদ্য এৰিলে। ১৫ আমাৰ মনৰ উল্লাস গ'ল; আমাৰ
নাচবাগ গুচি শোক হ'ল। ১৬ আমাৰ মুৰৰ পৰা মুকুটটি খহি পৰিল!
আমাৰ সন্তাপ হ'ল! কিয়নো আমি পাপ কৰিলোঁ! ১৭ এই কাৰণে
আমাৰ অন্তৰ পীড়িত হ'ল, এইবোৰৰ বাবে আমাৰ চকু দুৰ্ব্বল হ'ল,
১৮ কিয়নো চিয়োন পৰ্ব্বতক ধ্বংস কৰা হ'ল, তাৰ ওপৰত শিয়ালবোৰ
ফুৰে। ১৯ হে যিহোৱা, তুমি চিৰকাললৈকে আছা, তোমাৰ সিংহাসন
পুৰুষানুক্ৰমে আছে। ২০ তুমি চিৰকাললৈকে আমাক কিয় পাহৰিলা?
আৰু ইমান কাল আমাক কিয় ত্যাগ কৰিবা? ২১ হে যিহোৱা, তোমালৈ
আমাক উভতাই আনা, তেতিয়াহে আমি অনুতপ্ত হ'ম; আগৰ কালৰ
নিচিনা আমাৰ দিন পুনৰায় কৰা, ২২ যদিহে তুমি আমাক সম্পূৰ্ণকৈ
ত্যাগ কৰা নাই, আৰু আমাৰ অহিতে অতিশয় ক্ৰুদ্ধ হোৱা নাই!

# এজেকিয়েল

১ ত্ৰিশ বছৰৰ, চতুৰ্থ মাহৰ পঞ্চম দিনা, মই কবাৰ নদীৰ পাৰত বন্দী
অৱস্থাত থকা লোকসকলৰ মাজত থাকোঁতে, স্বৰ্গ মুকলি কৰি দিয়া
হ'ল আৰু মই ঐশ্বৰিক দৰ্শন পালোঁ। ২ পঞ্চম বছৰৰ সেই মাহৰ পঞ্চম
দিনা, যিহোয়াখীন ৰজা দেশান্তৰিত হোৱাৰ সময়ত, ৩ কলদীয়াসকলৰ
দেশত, কবাৰ নদীৰ পাৰত, বুজীৰ পুত্ৰ পুৰোহিত যিহিষ্কেলৰ ওচৰলৈ
যিহোৱাৰ বাক্য পৰাক্ৰমেৰে আহিল আৰু সেই ঠাইত যিহোৱাৰ হাত
তেওঁৰ ওপৰত অৰ্পিত হ'ল। ৪ তেতিয়া মই দেখিলোঁ যে, উত্তৰ
দিশৰ পৰা ধুমুহা বতাহ আহি আছিল - তেতিয়া এখন ডাঙৰ মেঘ
চিকমিকোৱা অগ্নিৰ দীপ্তিৰে সৈতে তাৰ ভিতৰত আৰু চাৰিওফালে
বিয়পি আছিল আৰু সেই মেঘৰ ভিতৰত থকা জুই জাংফাই ৰঙৰ
আছিল। ৫ তাৰ মাজত চাৰিজন জীয়া প্ৰাণীৰ নিচিনা দেখা গ'ল।
তেওঁলোকৰ আকৃতি এনেকুৱা: তেওঁলোকৰ ৰূপ মানুহৰ দৰে আছিল।
৬ কিন্তু প্ৰতিজনৰ চাৰিখন চাৰিখন মুখমণ্ডল আৰু প্ৰতিজনৰ চাৰিখনকৈ
ডেউকা আছিল। ৭ তেওঁলোকৰ ভৰি পোন, কিন্তু তেওঁলোকৰ ভৰিৰ
তলুৱা দামুৰিৰ খুৰাৰ তলুৱাৰ নিচিনা আছিল; যি চিকুণ কৰা পিতলৰ
দৰে জিলিকিছিল। ৮ তথাপিও তেওঁলোকৰ ডেউকাৰ চাৰিওকাষে
তলত মানুহৰ দৰে হাত আছিল। তেওঁলোক চাৰিওজনৰ মুখমণ্ডল
আৰু ডেউকা এনেধৰণৰ আছিল: ৯ তেওঁলোকৰ ডেউকা পৰস্পৰে লগ
লাগি আছিল আৰু যোৱা সময়ত তেওঁলোকে কোনো ফালে নুঘূৰিছিল;
তেওঁলোক প্ৰতিজনে পোনে পোনে আগবাঢ়ি গৈছিল। ১০ তেওঁলোকৰ
মুখমণ্ডলৰ আকৃতি এজন মানুহৰ নিচিনা, তেওঁলোকৰ সোঁফালৰ
মুখমণ্ডল সিংহৰ মুখ আৰু বাওঁফালৰ চাৰিওজনৰ মুখমণ্ডল ষাঁড়-
গৰুৰ মুখৰ দৰে আৰু শেষতে প্ৰতিজনৰে ঈগল পক্ষীৰ দৰে মুখমণ্ডল
আছিল। ১১ তেওঁলোকৰ মুখ সেইদৰেই আছিল আৰু তেওঁলোকৰ
ডেউকাৰ ওপৰ অংশ পৃথকে বহল হৈ গৈছিল, এইদৰে প্ৰতিজনৰ
দুখন দুখন ডেউকা পৰস্পৰৰ লগত লগ লাগি থাকে আৰু দুখন
দুখন ডেউকাই তেওঁলোকৰ শৰীৰটো ঢাকি ৰাখে। ১২ তেওঁলোক
প্ৰতিজনে পোনে পোনে ওলাই গৈছিল, এইদৰে যি ফালে আত্মাই

তেওঁলোকক যাবলৈ আদেশ দিয়ে, তেওঁলোক সেই ফালেই নুঘূৰাকৈ
গুচি যায়। ১৩ সেই জীৱিত প্ৰাণী কেইজনৰ ৰূপ জ্বলি থকা জুইৰ
আঙঠা আৰু এঙাৰবোৰৰ নিচিনা; উজ্জ্বল অগ্নিও তেওঁলোকৰ মাজত
ঘূৰি ফুৰিছিল আৰু তাত অত্যন্ত বজ্ৰপাত পৰিছিল। ১৪ সেই জুই প্ৰাণী
কেইজনৰ মাজত ওপৰ আৰু তললৈ অহা-যোৱা কৰে, সেই জীৱিত
প্ৰাণী কেইজনৰ গমন বিজুলীৰ চমকৰ দৰে দেখা যায়। ১৫ মই জীৱিত
প্ৰাণী কেইজনলৈ চাই তেওঁলোকৰ চাৰিখন মুখৰ প্ৰতিখনৰ বাবে
তেওঁলোকৰ কাষত মাটিত এটা এটা চক্ৰ দেখিলোঁ। ১৬ সেই চক্ৰ
কেইটাৰ আভা বৈদূৰ্য্য মণিৰ নিচিনা আৰু সেইবোৰ বৈদূৰ্য্য মণিৰে
কৰা যেন দেখা যায়; সেই চাৰিওটা একে প্ৰকাৰৰ। সেইবোৰৰ আভা
আৰু সেইবোৰৰ গঠন দেখিলে চক্ৰৰ মাজত থকা চক্ৰ যেন দেখা যায়।
১৭ যোৱা সময়ত সেইবোৰ চাৰিওকাষে যায়; যোৱা সময়ত সেইবোৰ
কোনো ফালে নুঘূৰে। ১৮ চকাৰ আঙঠিবোৰ ওখ আৰু ভয়ঙ্কৰ; আৰু
সেইবোৰ আঙঠিবোৰৰ চাৰিওফালে চকুৰে ভৰা। ১৯ যেতিয়া প্ৰাণী
কেইজন যায়, তেতিয়া চক্ৰ কেইটাও তেওঁলোকৰ কাষে কাষে যায়;
আৰু যেতিয়া প্ৰাণী কেইজনে মাটিৰ পৰা ওপৰলৈ উঠে, তেতিয়া
চক্ৰ কেইটাও ওপৰলৈ উঠে। ২০ আত্মাই য'লৈকে যাব খোজে,
ত'লৈকে তেওঁলোকো যায়; কোনো ঠাইলৈ আত্মা যাব খুজিলেই চক্ৰ
কেইটা তেওঁলোকৰ ওচৰতে ওপৰলৈ উঠে; কিয়নো প্ৰাণী কেইজনৰ
আত্মা চক্ৰ কেইটাত আছিল। ২১ তেওঁলোক গ'লে, সেইবোৰো যায়;
তেওঁলোক ৰৈ গ'লে, সেইবোৰো ৰয়; আৰু তেওঁলোক মাটিৰ পৰা
দাং খালে, চক্ৰ কেইটাও তেওঁলোকৰ কাষত দাং খায়; কিয়নো প্ৰাণী
কেইজনৰ আত্মা চক্ৰ কেইটাত আছিল। ২২ আৰু প্ৰাণী কেইজনৰ মূৰৰ
ওপৰত, ভয়ানক স্ফটিক বৰণৰ, তেওঁলোকৰ মূৰৰ ওপৰত ওখত
তৰা এখন চন্দ্ৰতাপৰ নিচিনা এক বস্তু আছিল। ২৩ চন্দ্ৰতাপখনৰ
তলত তেওঁলোকৰ ডেউকা পৰস্পৰৰ ফালে পোন আৰু গা ঢাকিবৰ
বাবে প্ৰতিজনৰ এফালে দুখন আনফালে দুখন ডেউকা আছিল। ২৪
তেওঁলোক যোৱা সময়ত মহাজলৰ শব্দৰ নিচিনা, সৰ্ব্বশক্তিমান জনাৰ
ধ্বনিৰ দৰে মই তেওঁলোকৰ ডেউকাৰ শব্দ শুনিলোঁ, সৈন্য-সামন্তৰ

ধ্বনিৰ দৰে কোলাহলৰ শব্দ শুনিলোঁ; তেওঁলোক ৰৈ যোৱা সময়ত
তেওঁলোকে নিজ নিজ ডেউকা চপায়। ২৫ তেওঁলোকৰ মূৰৰ ওপৰত
থকা চন্দ্ৰতাপখনৰ ওপৰৰ পৰা এক ধ্বনি শুনা যায়; তেওঁলোক ৰৈ
থকা সময়ত, তেওঁলোকে নিজ নিজ ডেউকা চপায়। ২৬ তেওঁলোকৰ
মূৰৰ ওপৰৰ চন্দ্ৰতাপখনৰ ওপৰত নীলকান্ত বাখৰৰ এখন সিংহাসনৰ
আকৃতিৰ দৰে এটা বস্তু আছিল; সেই বস্তুটোৰ ওপৰৰ ওখত এজন
মানুহৰ আকৃতিৰ নিচিনা এটা মূৰ্তি আছিল। ২৭ আৰু তেওঁৰ কঁকালত
যেন বস্তুটোৰ পৰা ওপৰলৈ, মই ভিতৰে চাৰিওফালে উজ্জ্বল ধাতুৰ
দৰে জুইৰ আকৃতি যেন দেখিলোঁ; আৰু তেওঁৰ কঁকাল যেন বস্তুটোৰ
পৰা তললৈ জুইৰ আকৃতি যেন দেখিলোঁ আৰু তেওঁৰ চাৰিওফালে
দীপ্তি আছিল। ২৮ বৃষ্টিৰ নিচিনা মেঘত থকা ধনুখনৰ আকৃতি যেনে,
তেওঁৰ চাৰিওফালৰ দীপ্তিৰ আকৃতি তেনে। যিহোৱাৰ গৌৰৱৰ দৰে
পদাৰ্থটোৰ ৰূপ দেখা গ'ল। তাক দেখামাত্ৰে মই উবুৰি হৈ পৰিলোঁ
আৰু বাক্য কওঁতা এজনাৰ মাত মোৰ কাণত পৰিল।

**২** তেওঁ মোক ক'লে, "হে মনুষ্য-সন্তান, এতিয়া নিজৰ ভৰিত থিয়
দিয়া; মই তোমাৰ সৈতে কথা পাতিম।" ২ যেতিয়া তেওঁ মোৰে সৈতে
কথা পাতি আছিল, তেতিয়া সেই আত্মাই মোৰ অন্তৰত উদগাই মোক
নিজ ভৰিত থিয় কৰোৱালে আৰু তেওঁ কোৱা বাক্য মই শুনিলোঁ।
৩ তেওঁ মোক ক'লে, "হে মনুষ্য-সন্তান, যি জাতি বিদ্ৰোহী আৰু
তেওঁলোকৰ পূৰ্বপুৰুষসকলে এই দিনলৈকে মোৰ বিৰুদ্ধে পাপ কৰি
আহিছে, সেই ইস্ৰায়েলৰ সন্তান সকলৰ ওচৰলৈ মই তোমাক পঠিয়াম।
৪ তেওঁলোক আঁকোৰগোজ মুখমণ্ডলৰ আৰু কঠিন হৃদয়ৰ বংশধৰ। মই
তোমাক সেই লোকসকলৰ ওচৰলৈ পঠিয়াম। তুমি তেওঁলোকক ক'বা,
'প্ৰভু যিহোৱাই এই কথা কৈছে': ৫ তেওঁলোকে শুনক বা নুশুনক;
যিহেতু তেওঁলোক বিদ্ৰোহী বংশধৰ, তথাপিও তেওঁলোকৰ মাজত
এজন ভাববাদী যে উপস্থিত হ'ব, সেই বিষয়ে তেওঁলোকে জানিব।
৬ আৰু তুমি, হে মনুষ্য- সন্তান, তুমি তেওঁলোকলৈ বা তেওঁলোকৰ
কথালৈ ভয় নকৰিবা। যদিও তুমি কাঁইটীয়া বন আৰু কাঁইট গছৰ হাবি
আৰু কেঁকোৰাবিছাবোৰৰ মাজত থকাৰ দৰে বাস কৰি আছা, তথাপিও

তেওঁলোকৰ কথালৈ ভয় নকৰিবা বা তেওঁলোকৰ মুখ দেখি ব্যাকুল নহ'বা, কিয়নো তেওঁলোক বিদ্ৰোহী বংশ। ৭ যদিও তেওঁলোকে সেই বিষয়ে শুনক বা নুশুনক, কিন্তু তুমি হ'লে মোৰ বাক্য তেওঁলোকক ক'বা, কিয়নো তেওঁলোক অত্যন্ত বিদ্ৰোহী। ৮ কিন্তু হে মনুষ্য-সন্তান, তুমি হ'লে মই কোৱা কথা শুনা। সেই বিদ্ৰোহী বংশৰ নিচিনা তুমি বিদ্ৰোহী নহ'বা; তুমি নিজ মুখ মেলা আৰু মই তোমাক যি দিম তাক খোৱা'।" ৯ তেতিয়া মই চাই দেখিলোঁ যে, মোলৈ এখন হাত মেলা হ'ল; আৰু তাত এখন নুৰিওৱা পুথি আছিল। ১০ তেওঁ সেই নুৰিওৱা পুথিখন মোৰ আগত মেলি দিলে; সেই পুথিখনৰ আগফালে আৰু পাছফালে দুয়ো পিঠিত লিখা আছিল; তাত বিলাপ, শোক আৰু সন্তাপৰ বিষয়ে লিখা আছিল।

৩ তেওঁ মোক ক'লে, "হে মনুষ্য-সন্তান, তুমি যি বিচাৰি পাইছা, তাকে খোৱা! এই নুৰিওৱা পুথিখন ভোজন কৰা, তাৰ পাছত ইস্ৰায়েল পৰিবাৰক গৈ কোৱা।" ২ সেই কাৰণে মই মুখ মেলিলো আৰু তেওঁ মোক সেই নুৰিওৱা পুথিখন খুৱাই দিলে। ৩ তেওঁ মোক ক'লে, "হে মনুষ্য-সন্তান, মই তোমাক দিয়া নুৰিওৱা পুথিখন পেটলৈ নি, তাৰে তোমাৰ উদৰ পূৰ কৰা।" সেই কাৰণে মই তাক খালোঁ আৰু সেয়ে মোৰ মুখত মৌ-জোলৰ নিচিনা মিঠা লাগিল। ৪ পাছত তেওঁ মোক ক'লে, "হে মনুষ্য-সন্তান, ইস্ৰায়েলৰ পৰিবাৰৰ ওচৰলৈ যোৱা আৰু মোৰ বাক্য তেওঁলোকক কোৱা। বাক্য কোৱা। ৫ কিয়নো অস্পষ্ট কথা আৰু কঠিন ভাষা কোৱা জাতিৰ ওচৰলৈ তোমাক পঠিওৱা হোৱা নাই, কিন্তু ইস্ৰায়েল-বংশৰ ওচৰলৈহে পঠোৱা হৈছে। ৬ যি জাতিবোৰৰ বাক্য তুমি বুজি নোপোৱা, অস্পষ্ট কথা আৰু কঠিন ভাষা কোৱা এনে জাতিৰ অনেকৰ ওচৰলৈ তোমাক পঠোৱা হোৱা নাই। মই যদি তোমাক তেওঁলোকৰ ওচৰলৈ পঠালোঁহেঁতেন, তেন্তে নিশ্চয়ে তেওঁলোকে তোমাৰ কথা শুনিলেহেঁতেন। ৭ কিন্তু ইস্ৰায়েল বংশই তোমাৰ কথা শুনিবলৈ সন্মত নহ'ব, কিয়নো তেওঁলোকে মোৰ কথা শুনিবলৈ সন্মত নহয়। কাৰণ ইস্ৰায়েলৰ গোটেই বংশ জেদী আৰু কঠিন চিত্তীয়া। ৮ চোৱা! তোমাৰ মণ্ডল মই তেওঁলোকৰ মণ্ডলৰ দৰে

আঁকোৰগোজ কৰিলোঁ আৰু তোমাৰ চেলাউৰি তেওঁলোকৰ চেলাউৰিৰ
দৰে কঠিন কৰিলোঁ। তেওঁলোকৰ কপালৰ আগত তোমাৰ কপাল
টান কৰিলোঁ। ৯ মই তোমাৰ কপাল চকমকিয়া পাথৰতকৈ কঠিন
হীৰা যেন কৰিলোঁ; তেওঁলোক বিদ্রোহী বংশ হলেও, তেওঁলোকলৈ
ভয় নকৰিবা বা তেওঁলোকৰ মুখ দেখি ব্যাকুল নহ'বা।" ১০ তেতিয়া
তেওঁ মোক ক'লে, হে মনুষ্য-সন্তান, মই তোমাৰ আগত যি যি কথা
ঘোষণা কৰিলোঁ, সেই সকলো কথা অন্তৰত গ্রহণ কৰা আৰু সেই
কথাবোৰত কাণ দিয়া। ১১ তাৰ পাছত তোমাৰ দেশান্তৰিত স্বজাতীয়
সন্তান সকলৰ ওচৰলৈ গৈ তেওঁলোকক কোৱা; তেওঁলোকক কোৱা,
তেওঁলোকে শুনক বা নুশুনক, তথাপি তুমি কোৱা যে, 'প্রভু যিহোৱাই
এই কথা কৈছে'।" ১২ তেতিয়া আত্মাই মোক দাঙি লৈ গ'ল; তেতিয়া
মোৰ পাচফালে এটা মহৎ ভূমিকম্পৰ শব্দৰদৰে এই বাক্য কোৱা
শুনিলোঁ বোলে, যে, "নিজ ঠাইত বাস কৰা যিহোৱাৰ গৌৰৱ ধন্য।"
১৩ তেতিয়া মই জীৱিত প্রাণী কেইজনৰ ডেউকা পৰস্পৰে লগ লগাত,
তাৰ শব্দ শুনিলো আৰু তাৰে সৈতে অতি বেগেৰে যোৱা চকাবোৰৰ
আৰু এটা মহৎ ভূমিকম্পৰ শব্দ শুনিলোঁ। ১৪ এইদৰে আত্মাই মোক
দাঙি লৈ গ'ল; আৰু মোৰ আত্মাৰ আবেগত মই বেজাৰত আছিলোঁ,
কিয়নো যিহোৱাৰ হাত মোৰ ওপৰত প্রবল আছিল। ১৫ তাৰ পাছত
কবাৰ নদীৰ পাৰত থকা তেল-আবীব নিবাসী দেশান্তৰিত লোকসকলৰ
ওচৰত মই উপস্থিত হলোঁ, আৰু তেওঁলোকে বাস কৰা ঠাইলৈ গৈ,
মই আচৰিত হৈ তেওঁলোকৰ মাজত সাত দিন বহি থাকিলোঁ। ১৬
তাৰ পাছত সাত দিনৰ মূৰত যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল
যে, ১৭ "হে মনুষ্য-সন্তান, মই তোমাৰ ইস্রায়েল বংশৰ কাৰণে প্রহৰী
নিযুক্ত কৰিলোঁ; এই কাৰণে মোৰ মুখৰ পৰা বাক্য শুনি মোৰ নামেৰে
তেওঁলোকক সেই বিষয়ে সাৱধানে থকিবলৈ দিয়া। ১৮ 'তুমি নিশ্চয়ে
মৰিবা', এইদৰে মই দুষ্ট লোকসকলক কোৱা সময়ত তুমি যদি তাক
সতৰ্ক নকৰা বা তেওঁলোকৰ প্ৰাণ নিস্তাৰ কৰিবৰ কাৰণে তেওঁলোকৰ
মন্দ পথৰ পৰা তেওঁলোকক সাৱধান হ'বলৈ নোকোৱা, তেতিয়া সেই
দুষ্ট লোকসকল নিজ অপৰাধত মৰিব - কিন্তু মই তোমাৰ হাতৰ পৰা

তেওঁলোকৰ ৰক্তৰ প্ৰতিশোধ ল’ম। ১৯ কিন্তু তুমি যদি তেওঁলোকক
সতৰ্ক কৰা কিন্তু তেওঁলোকে নিজ দুষ্টতাৰ পৰা বা নিজ কু পথৰ
পৰা নুঘূৰে, তেতিয়া তেওঁলোকে নিজ অপৰাধত মৰিব; কিন্তু তুমি
হ’লে, তোমাৰ প্ৰাণ ৰক্ষা কৰিবা। ২০ যদি এজন ধাৰ্মিক লোকে নিজ
ধাৰ্মিকতাৰ পৰা ঘূৰি অপৰাধ কৰে, তেতিয়া মই তেওঁৰ আগত উজুটি
খোৱা মূঢ়া ৰাখিম আৰু তেওঁৰ মৃত্যু হ’ব, কিয়নো তুমি তেওঁক সতৰ্ক
নকৰিলা। তেওঁ নিজ পাপত মৰিব, কিন্তু তেওঁ কৰা ধৰ্ম-কৰ্মবোৰ মই
সোঁৱৰণ নকৰোঁ; কিন্তু তেওঁৰ ৰক্তৰ প্ৰতিশোধ মই তোমাৰ হাতৰ পৰা
ল’ম। ২১ আৰু ধাৰ্মিক লোক এজনক পাপ নকৰিবৰ কাৰণে তুমি
যদি তেওঁক সতৰ্ক কৰা আৰু তেওঁ যদি পুনৰ পাপ নকৰে, তেন্তে
তেওঁ সতৰ্ক হোৱাৰ কাৰণে অৱশ্যে জীয়াই থাকিব; আৰু তুমিও নিজ
প্ৰাণ ৰক্ষা কৰিবা।” ২২ সেই ঠাইতে যিহোৱাৰ হাত মোৰ ওপৰত
অৰ্পিত হ’ল আৰু তেওঁ মোক কলে, “উঠা! উপত্যকালৈ ওলাই যোৱা,
মই সেই ঠাইত তোমাৰ লগত কথা পাতিম।” ২৩ তেতিয়া মই উঠি
উপত্যকালৈ ওলাই গ’লো আৰু দেখিলোঁ যে, কবাৰ নদীৰ ওচৰত মই
দেখা গৌৰৱৰ নিচিনাকৈ যিহোৱাৰ গৌৰৱ সেই ঠাইত ৰৈ আছিল;
তেতিয়া মই উবুৰি হৈ পৰিলোঁ। ২৪ তাৰ পাছত মোলৈ সেই আত্মা
আহিল আৰু মোক থিয় কৰোৱালে; আৰু তেওঁ মোৰ লগত কথা হৈ
মোক ক’লে, “তুমি নিজ ঘৰলৈ গৈ নিজকে বন্ধ কৰি ভিতৰত ৰাখা,
২৫ কিয়নো এতিয়াৰ কাৰণে হে মনুষ্য-সন্তান, লোক সকলে তোমাক
লেজু লগাই তাৰে তোমাক বান্ধিব, যাতে তুমি তেওঁলোকৰ মাজলৈ
যাব নোৱাৰিবা; ২৬ মই তোমাৰ জিবা তালুত লগাম, যাতে তুমি
বোবা হ’বা আৰু তেওঁলোকৰ আগত অনুযোগ কৰোঁতা নহ’বা; কিয়নো
তেওঁলোক বিদ্ৰোহী বংশ। ২৭ কিন্তু মই তোমাৰ লগত কথা হোৱা
সময়ত যেতিয়া তোমাৰ মুখ মেলিম, তেতিয়া তুমি তেওঁলোকক ক’বা
‘প্ৰভু যিহোৱাই এই কথা কৈছে’; যি জনে শুনে, তেওঁ শুনক আৰু যি
জনে নুশুনে, তেওঁ নুশুনক; কিয়নো তেওঁলোক বিদ্ৰোহী বংশ!”

**4** হে মনুষ্য সন্তান, তুমি এটা ইটা লোৱা আৰু নিজৰ সন্মুখত ৰাখা।
তাৰ পাছত সেই ইটাটোৰ ওপৰত যিৰূচালেম নগৰৰ নক্সা আঁকা। ২

আৰু তাক অৱৰোধ কৰা, তাৰ বিপৰীতে কোঁঠ সাজা, তাৰ বিপৰীতে
হাদাম বান্ধা, তাৰ বিপৰীতে চাৰিওফালে ছাউনি পাতা আৰু তাৰ
বিপৰীতে চাৰিওফালে গড় ভঙা যন্ত্ৰ স্থাপন কৰা। ৩ আৰু তুমি এখন
লোহাৰ তাওৱা লৈ, তোমাৰ আৰু নগৰৰ মাজত লোহাৰ গড়স্বৰূপে
তাক স্থাপন কৰা। আৰু তালৈ কঠিন দৃষ্টি কৰা, তাতে সেয়ে অৱৰোধৰ
অৱস্থাত পৰিব আৰু তুমি তাক অৱৰোধ কৰিবা; ইস্ৰায়েল-বংশৰ
কাৰণে এয়ে চিন হ'ব। ৪ তাৰ বাহিৰে তুমি বাওঁকাষে শুই তাৰ
ওপৰত ইস্ৰায়েল-বংশৰ অপৰাধৰ ভাৰ ৰাখা; তুমি সেই কাষে শোৱা
দিনৰ সংখ্যা অনুসাৰে তুমি তেওঁলোকৰ অপৰাধ ববা। ৫ কিয়নো
মই তেওঁলোকৰ অপৰাধৰ বছৰৰ সংখ্যা তোমাৰ কাৰণে কেতবোৰ
দিনৰ সংখ্যা কৰিলোঁ, অৰ্থাৎ তিনিশ নৱৈ দিন কৰিলোঁ; এইদৰে তুমি
ইস্ৰায়েল বংশৰ অপৰাধ ববা। ৬ যেতিয়া তুমি এইদৰে এই দিনবোৰ
সম্পূৰ্ণ কৰিবা, তাৰ পাছত দ্বিতীয় বাৰৰ বাবে আকৌ সোঁকাষে শুবা
আৰু চল্লিশ দিনলৈকে যিহূদা-বংশৰ অপৰাধ ববা; মই এক এক
বছৰ তোমাৰ কাৰণে এক এক দিন কৰিলোঁ। ৭ তুমি বাহু উদং কৰি
যিৰূচালেমৰ অৱৰোধলৈ স্থিৰ দৃষ্টি কৰি তাৰ বিৰুদ্ধে ভাববাণী প্ৰচাৰ
কৰিবা। ৮ কাৰণ চোৱা! মই ৰছীৰে তোমাক বান্ধিম; তাতে তোমাৰ
অৱৰোধৰ দিন তুমি সম্পূৰ্ণ নকৰালৈকে এক কাষৰ পৰা আন কাষলৈ
বাগৰিব নোৱাৰিবা। ৯ আৰু তুমি নিজৰ বাবে ঘেঁহু, যৱ, মাহ, মচুৰ
বজৰা আৰু জনৰা লৈ এটা পাত্ৰত ৰাখি তাৰে পিঠা বনোৱা; তুমি কাতি
হৈ শুই থকা দিনৰ সংখ্যা অনুসাৰে তিনিশ নৱৈ দিন তাক ভোজন
কৰিবা। ১০ ভোজনৰ আহাৰ তুমি ভোজন কৰিবা আৰু প্ৰতিদিনে
বিশ চেকল জোখৰ আহাৰ খাবা। তুমি সময়ে সময়ে ইয়াক ভোজন
কৰিবা। ১১ আৰু তুমি পানী জোখ কৰি লৈ এক হীনৰ ছয় ভাগৰ
এভাগ পানী পান কৰিবা। ১২ আৰু তুমি যৱৰ পিঠাৰ দৰে তাক তৈয়াৰ
কৰি ভোজন কৰিবা; আৰু তেওঁলোকৰ চকুৰ আগতে, মানুহৰ পৰা
বাহিৰ হোৱা বিষ্ঠাৰে তাক তাও দিবা। ১৩ যিহোৱাই পুনৰ ক'লে, "যি
জাতিবোৰৰ মাজলৈ মই এই ইস্ৰায়েল সন্তান সকলক খেদিম, সেই
জাতিবোৰৰ মাজত তেওঁলোকে নিজ নিজ আহাৰ এইদৰে অশুচিকৈ

খাব।” ১৪ তেতিয়া মই ক’লোঁ, “হায় হায় প্রভু যিহোৱা! চোৱা, মোৰ
প্ৰাণ অশুচি কৰা নাই! কিয়নো মই ল’ৰা কালৰে পৰা আজিলৈকে
নিজে মৰা বা জন্তুৱে ছিৰা একোকে খোৱা নাই, নাইবা ঘিণলগীয়া
মাংস মোৰ মুখত কেতিয়াও সোমোৱা নাই।” ১৫ তেতিয়া তেওঁ মোক
ক’লে, “মই মানুহৰ বিষ্ঠাৰ সলনি তোমাক গোবৰ দিলোঁ; তুমি তাৰে
নিজৰ পিঠা তাও দি তৈয়াৰ কৰিবা। ১৬ ইয়াৰ উপৰিও তেওঁ মোক
ক’লে, “হে মনুষ্য সন্তান, চোৱা! মই যিৰূচালেমত অন্নৰূপ লাখুটি
ভাঙিম; তেওঁলোকে পিঠা আৰু পানীৰ অভাৱত পৰিবৰ বাবে আৰু
পৰস্পৰে আচৰিত হৈ তেওঁলোকৰ অপৰাধত ক্ষীণাই যাবৰ বাবে, ১৭
তেওঁলোকে সাৱধানেৰে জুখি জুখি পিঠা খাব আৰু আচৰিত হৈ জুখি
জুখি পানী পান কৰিব।

**৫** “আৰু হে মনুষ্য সন্তান, তুমি এখন চোকা তৰোৱাল লোৱা; তুমি
তাক নাপিতৰ খুৰস্বৰূপে লৈ নিজ মূৰৰ চুলি আৰু ডাড়িৰ ওপৰত
চলোৱা। পাছত এখন তৰ্জু লৈ, সেই ডাড়ি চুলিবোৰ জুখি ভাগ ভাগ
কৰিবা। ২ নগৰ অৱৰোধ কৰা দিন সম্পূৰ্ণ হ’লে, তুমি তাৰ তিনি
ভাগৰ এভাগ নগৰৰ মাজত জুইত পুৰিবা; তুমি দ্বিতীয় ভাগ লৈ,
নগৰৰ চাৰিওফালে তাক তৰোৱালেৰে প্ৰহাৰ কৰিবা; আৰু তুমি
তৃতীয়ভাগ বায়ুত উড়ুৱাই দিবা আৰু মই ফাকৰ পৰা তৰোৱাল
উলিয়াই তেওঁলোকৰ পাছে পাছে খেদি যাম। ৩ কিন্তু তুমি অলপ
সংখ্যক চুলি ল’বা আৰু তোমাৰ কাপোৰৰ আঁচলত বান্ধিবা। ৪
তাৰ পাছত তাৰে অধিক চুলি ল’বা আৰু জুইৰ মাজত পেলাই দিবা;
আৰু জুইৰে পুৰিবা। তাৰ পৰা জুই ওলাই গোটেই ইস্ৰায়েল-বংশত
সোমাব। ৫ প্রভু যিহোৱাই এই কথা কৈছে: “এয়ে যিৰূচালেম; মই
ইয়াক জাতিবোৰৰ মাজত স্থাপন কৰিলোঁ আৰু ইয়াৰ চাৰিওফালে
আন জাতি সমূহ আছে। ৬ কিন্তু ই মোৰ শাসন-প্ৰণালীবোৰৰ বিৰুদ্ধে
জাতি সমূহতকৈয়ো অধিক দুষ্কৰ্ম কৰিলে আৰু ইয়াৰ চাৰিওফালে থকা
দেশৰ লোকসকলতকৈয়ো মোৰ বিধিবোৰৰ বিৰুদ্ধে অধিক বিদ্ৰোহ
কৰিলে; কিয়নো তেওঁলোকে মোৰ শাসন-প্ৰণালীবোৰ অগ্ৰাহ্য কৰিলে
আৰু মোৰ বিধিবোৰৰ বিৰুদ্ধে গ’ল, সেইবোৰত তেওঁলোক নচলিল। ৭

এই কাৰণে প্ৰভু যিহোৱাই এই কথা কৈছে: “তোমালোকৰ চাৰিওফালে
থকা জাতিবোৰতকৈ তোমালোকে অধিক অত্যাচাৰ কৰিলা, মোৰ
বিধিবোৰত নচলিলা, মোৰ শাসন-প্ৰণালীবোৰ পালন নকৰিলা আৰু
তোমালোকৰ চাৰিওফালে থকা জাতিবোৰৰ শাসন-প্ৰণালী অনুসাৰেও
কাৰ্য নকৰিলা। ৮ এই কাৰণে” প্ৰভু যিহোৱাই এই কথা কৈছে, “চোৱা!
মই ময়েই তোমাৰ বিপক্ষ! আৰু মই জাতি সমূহৰ সাক্ষাতে তোমাৰ
মাজত দণ্ডাজ্ঞা সিদ্ধ কৰিম। ৯ যিহক মই কেতিয়াও কৰা নাই আৰু
যিহৰ নিচিনা কেতিয়াও নকৰিম, তোমাৰ আটাই ঘিণলগীয়া কাৰ্যবোৰৰ
কাৰণে তাকেই তোমাৰ মাজত কৰিম। ১০ এই কাৰণে তোমাৰ মাজত
বাপেকহঁতে পুতেকহঁতক খাব আৰু পুতেকহঁতে বাপেকহঁতক খাব;
এই প্ৰকাৰে মই তোমাৰ মাজত দণ্ডাজ্ঞা সিদ্ধ কৰিম আৰু তোমাৰ
আটাই অৱশিষ্ট ভাগ চাৰিওফালে বায়ুত উড়ুৱাই দিম! ১১ এই হেতুকে
প্ৰভু যিহোৱাই কৈছে, “মোৰ জীৱনৰ শপত, তোমাৰ আটাই ঘিণলগীয়া
বস্তুৰে আৰু তোমাৰ আটাই ঘৃণনীয় কাৰ্যেৰে তুমি মোৰ পবিত্ৰ স্থান
অশুচি কৰা বাবে, মই নিশ্চয়ে তোমাক হ্ৰাস কৰিম, তোমালৈ কৃপাদৃষ্টি
নকৰিম আৰু তোমাক দয়াও নকৰিম। ১২ তোমাৰ তিনি ভাগৰ এভাগ
লোক তোমাৰ মাজত মহামাৰীত মৰিব আৰু আকালৰ দ্বাৰাই নষ্ট হ’ব;
দ্বিতীয় ভাগ তোমাৰ চাৰিওফালে তৰোৱালত পতিত হ’ব; আৰু তৃতীয়
ভাগ মই চাৰিওফালে বায়ুত উড়ুৱাই দিম আৰু ফাকৰ পৰা তৰোৱাল
উলিয়াই তেওঁলোকৰ পাছে পাছে খেদি যাম। ১৩ এইদৰে মোৰ
ক্ৰোধ সিদ্ধ হ’ব আৰু মই তেওঁলোকৰ ওপৰত মোৰ কোপ বৰষাই
ক্ষান্ত হ’ম; মই তেওঁলোকৰ ওপৰত মোৰ ক্ৰোধ সিদ্ধ কৰাৰ পাছত,
তেওঁলোকে জানিব যে, মই যিহোৱা, মই মৰ্য্যাদা ৰখাৰ উৎসাহতে এই
কথা কলোঁ। ১৪ ইয়াৰ বাহিৰে, আটাই পথিকসকলৰ দৃষ্টিত তোমাৰ
চাৰিওফালে থকা জাতিবোৰ মাজত মই তোমাক ধ্বংসস্থান আৰু
ধিক্কাৰৰ বিষয় কৰিম। ১৫ তাতে, মই ক্ৰোধত, কোপত আৰু কোপযুক্ত
ধমকিত তোমাৰ মাজত দণ্ডাজ্ঞা সিদ্ধ কৰিলোঁ। তোমাৰ চাৰিওফালে
থকা সেই জাতিবোৰৰ কাৰণে সেই নগৰ ধিক্কাৰ, বিদ্ৰূপ, শিক্ষা আৰু
আচৰিতৰ বিষয় হ’ব; মই যিহোৱাই এই কথা কলোঁ। ১৬ “মই সেই

সময়ত তেওঁলোকৰ মাজলৈ আকালস্বৰূপ বিনাশার্থক অনিষ্টকাৰী বাণ
মাৰিম, তোমালোকক বিনষ্ট কৰিবৰ অৰ্থেই সেইবোৰ মাৰিম; মই
তোমালোকৰ ওপৰত আকাল বঢ়াম আৰু তোমালোকৰ অন্নৰূপ লাখুটি
ভাঙিম। ১৭ মই তোমালোকৰ অহিতে আকাল আৰু হিংসক জন্তুবোৰ
পঠাম, সিহঁতে তোমাক সন্তানহীন কৰিব; মহামাৰী আৰু ৰক্তপাত
তোমাৰ মাজেদি যাব আৰু মই তোমাৰ অহিতে তৰোৱাল অনাম। মই
যিহোৱাই এই কথা কলোঁ!”

৬ যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, আৰু তেওঁ ক'লে, ২ “হে
মনুষ্য সন্তান, ইস্রায়েলৰ পৰ্ব্বতবোৰৰ ফাললৈ মুখ কৰি সেইবোৰৰ
বিৰুদ্ধে ভাববাণী প্ৰচাৰ কৰা। ৩ আৰু কোৱা, ‘হে ইস্রায়েলৰ পৰ্বতবোৰ,
প্ৰভু যিহোৱাৰ বাক্য শুনা; প্ৰভু যিহোৱাই পৰ্বত, উপপৰ্বত, জুৰি বৈ
যোৱা ঠাই আৰু উপত্যকাবোৰক এই কথা কৈছে, চোৱা, মই, ময়েই
তোমাৰ অহিতে তৰোৱাল অনাম আৰু তোমালোকৰ ওখ ঠাইবোৰ
বিনষ্ট কৰিম। ৪ তাতে তোমালোকৰ যজ্ঞবেদীবোৰ ধ্বংস কৰা হ'ব
আৰু তোমালোকৰ সূৰ্যমূৰ্তিবোৰ ভঙা হ'ব আৰু মই তোমালোকৰ
হত লোকসকলক তোমালোকৰ মুৰ্ত্তিবোৰৰ আগত পেলাম। ৫ আৰু
মই ইস্রায়েলৰ সন্তান সকলৰ শৱ তেওঁলোকৰ মুৰ্ত্তিবোৰৰ আগত
ৰাখিম আৰু তোমালোকৰ যজ্ঞ-বেদিবোৰৰ চাৰিওফালে তোমালোকৰ
হাড়বোৰ সিচঁৰিত কৰিম। ৬ তোমালোকৰ যজ্ঞবেদীবোৰ উচ্ছন্ন
আৰু ধ্বংস হ'বৰ কাৰণে আৰু তোমালোকৰ হাতৰ কাৰ্যবোৰ লোপ
পাবৰ কাৰণে তোমালোকৰ আটাই বাসস্থানত, নগৰবোৰ উচ্ছন্ন আৰু
ওখ ঠাইবোৰ ধ্বংস কৰা হ'ব। ৭ আৰু তোমালোকৰ মাজত লোক
হত হৈ পৰিব; আৰু মই যে যিহোৱা, তাক তোমালোকে জানিবা।
৮ তথাপি, যেতিয়া দেশবোৰৰ মাজত তোমালোক ছিন্ন-ভিন্ন হ'বা,
তেতিয়া তৰোৱালৰ পৰা ৰক্ষা পোৱা তোমালোকৰ কেতবোৰ লোক
যেন জাতিবোৰৰ মাজত হ'ব, এই কাৰণে মই এক অৱশিষ্ট ভাগ
এৰিম। ৯ আৰু মোৰ পৰা আঁতৰ হোৱা তেওঁলোকৰ বেশ্যালী মন
আৰু তেওঁলোকৰ মুৰ্ত্তিৰ পাছে পাছে ব্যভিচাৰী হৈ যোৱা তেওঁলোকৰ
চকু যেতিয়া মই দমন কৰিম, তেতিয়া তোমালোকৰ ৰক্ষা পোৱা

লোকসকলে তেওঁলাকক বন্দী কৰি নিয়া জাতিবোৰৰ মাজত মোক
সোঁৱৰণ কৰিব আৰু তেওঁলোকৰ আটাই ঘিণলগীয়া বস্তুৰ সম্পৰ্কে
তেওঁলোকে কৰা মন্দ কাৰ্যৰ বাবে নিজৰ দৃষ্টিত নিজক ঘিণ কৰিব। ১০
আৰু মই যে যিহোৱা, তাক তেওঁলোকে জানিব। মই যে তেওঁলোকলৈ
এই অমঙ্গল কৰিম, ইয়াক মই বৃথা কোৱা নাই। ১১ প্ৰভু যিহোৱাই এই
কথা কৈছে: তুমি হাত তালি দি আৰু মাটিত ভৰি মাৰি ইস্ৰায়েলৰ-বংশৰ
আটাই ঘিণলগীয়া কাৰ্যৰ বাবে “হায় হায়” কৰা! কিয়নো তেওঁলোক
তৰোৱাল, আকাল আৰু মহামাৰীত পতিত হ’ব। ১২ দূৰৈত থকা লোক
মহামাৰীত মৰিব, ওচৰত থকা লোক তৰোৱালত পতিত হ’ব আৰু
নগৰত অৱশিষ্ট থাকি অৱৰুদ্ধ হোৱা লোক আকালত মৰিব; এইদৰে মই
তেওঁলোকৰ ওপৰত মোৰ ক্ৰোধ সিদ্ধ কৰিম। ১৩ য’ত তেওঁলোকে নিজ
নিজ দেৱতাৰ উদ্দেশ্যে সুগন্ধি দ্ৰব্য উৎসৰ্গ কৰিছিল, সেই ওখ গিৰিত,
আটাই পৰ্ব্বতৰ টিঙত, প্ৰত্যেক কেঁচাপতীয়া গছৰ তলত আৰু প্ৰত্যেক
জোপোহা এলোন গছৰ তলত, তেওঁলোকৰ যজ্ঞবেদীৰ চাৰিওফালে
থকা নিজ মুৰ্ত্তিৰ মাজত যেতিয়া তেওঁলোকৰ হত লোকসকল পৰি
থাকিব, তেতিয়া মই যে যিহোৱা, তাক তোমালোকে জানিবা! ১৪ আৰু
মই তেওঁলোকৰ অহিতে মোৰ হাত মেলি, অৰণ্যৰ পৰা দিব্লালৈকে
তেওঁলোকৰ দেশৰ আটাই বাসস্থান ধ্বংস আৰু উচ্ছন্ন কৰিম; তেতিয়া
মই যে যিহোৱা, তাক তেওঁলোকে জানিব!”

৭ যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল আৰু ক’লে, ২ “তোমালোক,
হে মনুষ্য সন্তান, প্ৰভু যিহোৱাই ইস্ৰায়েল দেশক এই কথা কৈছে:
এতিয়া ইস্ৰয়েল আহিল! দেশৰ চাৰি সীমালৈ অন্ত আহিল! ৩ এতিয়া
তোমালৈ অন্ত উপস্থিত হ’ল, কিয়নো মই তোমাৰ ওপৰলৈ মোৰ
ক্ৰোধ পঠিয়াম আৰু মই তোমাৰ আচাৰ-ব্যৱহাৰ অনুসাৰে বিচাৰ
কৰিম; তাৰ পাছত তোমাৰ আটাই ঘিণলগীয়া কাৰ্যৰ ফল তোমালৈ
পৰিশোধ কৰিম। ৪ কিয়নো মই তোমালৈ কৰুণাময় দৃষ্টিপাত
নকৰোঁ আৰু তোমাক দয়াও নকৰিম; কিন্তু তোমাৰ আচৰণৰ ফলৰ
কাৰণে মই তোমাক শাস্তি দিম, আৰু তোমাৰ ঘিণলগীয়া কাৰ্যৰ
ফল তোমাৰ মাজত থাকিব, তেতিয়া মই যে যিহোৱা, সেই বিষয়ে

তোমালোকে জানিবা! ৫ প্ৰভু যিহোৱাই এই কথা কৈছে: অমঙ্গল!
কেৱল অমঙ্গলৰ পাছত অমঙ্গল! চোৱা, সেয়ে আহি পালেহি! ৬ অন্ত
নিশ্চয়কৈ উপস্থিত হ'ব; সেয়ে তোমাৰ অহিতে জাগি উঠিছে! চোৱা,
সেয়ে আহি পালেহি। ৭ তোমালোকৰ যি সকলে দেশত নিবাস কৰি
আছে, তোমাৰ বিনাশ তোমালৈ আহি আছে। সেই সময় উপস্থিত হ'ল;
বিনাশৰ দিন ওচৰ চাপি আহিছে আৰু পৰ্ব্বতবোৰৰ ওপৰত কেতিয়াও
আনন্দ-ধ্বনিৰ দিন নহ'ব, কোলাহলৰহে দিন হ'ব! ৮ এতিয়া মই
তোমাৰ ওপৰত মোৰ ক্ৰোধ বৰষাম আৰু তোমাৰ অহিতে মোৰ কোপ
তোমাৰ ওপৰত সম্পূৰ্ণ কৰিম, মই তোমাৰ আচাৰ-ব্যৱহাৰ অনুসাৰে
বিচাৰ কৰিম আৰু তোমাৰ সকলো ঘিণলগীয়া কাৰ্যৰ ফল তোমালৈ
পৰিশোধ কৰিম। ৯ মই কৃপাদৃষ্টি নকৰিম আৰু দয়াও নকৰিম।
তোমালোকে যিদৰে কৰিলা, মইয়ো তোমালোকলৈ সেইদৰেই কৰিম;
আৰু তোমালোকৰ ঘিণলগীয়া কাৰ্যৰ ফল তোমালোকৰ মাজত থাকিব,
তেতিয়া মই যে তোমালোকৰ প্ৰহাৰ কৰোঁতা যিহোৱা, সেই বিষয়ে
তোমালোকে জানিবা। ১০ আৰু চোৱা! সেই দিন আহি পালেহি।
বিনাশ ওলাই আহিল। তোমালোকৰ দণ্ডডালিত অহঙ্কাৰৰ কলি
ধৰিলে। ১১ দৌৰাত্ম্য দুষ্টতাৰ দণ্ড হৈ উঠিল- তেওঁলোকৰ এজনো
আৰু তেওঁলোকৰ মাজৰ কোনেও বা তেওঁলোকৰ ধন-সম্পত্তি আৰু
তেওঁলোকৰ কোনো প্ৰাধান্যতাৰ অৱশিষ্ট নাথাকিব। ১২ সেই সময়
উপস্থিত হৈ আহি আছে; সেই দিন ওচৰ চাপিছে, কিনোতাই আনন্দ
নকৰক, বা বেচোঁতাই বেজাৰ নকৰক; যিহেতু মোৰ ক্ৰোধ সকলো
লোকৰ ওপৰত উপস্থিত হ'ব! ১৩ কিয়নো বেচোঁতাসকলে জীয়াই
থকা সেই সময়লৈকে তেওঁলোকে বেচা তেওঁলোকৰ সেই সম্পৰ্কীয়
সম্পত্তি কেতিয়াও পুনৰায় দেখিবলৈ নাপাব, কিয়নো নিজ নিজ
জীৱনৰ পাপ আচৰণত তেওঁলোকৰ কোনেও জীৱন ধাৰণ কৰিব
নোৱাৰিব। ১৪ তেওঁলোকে শিঙা বজাই সকলোকে যুগুত কৰিলে,
কিন্তু যুদ্ধলৈ যাবৰ বাবে কোনো এজনো নাই; কিয়নো মোৰ ক্ৰোধ
তাৰ (ইস্ৰায়েল) সকলো লোকৰ ওপৰত আছে। ১৫ তৰোৱাল দেশৰ
বাহিৰত আৰু মহামাৰী আৰু আকাল দেশৰ ভিতৰত আছে। যি সকল

লোক পথাৰত আছে, তেওঁলোকক তৰোৱালেৰে বধ হ’ব আৰু যি সকল
লোক নগৰৰ ভিতৰত আছে, তেওঁলোকক আকাল আৰু মহামাৰীয়ে
গ্ৰাস কৰিব। ১৬ কিন্তু তেওঁলোকৰ মাজৰ পৰা কিছুমান জীৱিত
লোক সাৰি যাব আৰু তেওঁলোকে গৈ পৰ্ব্বতত থাকিব। তেওঁলোকৰ
প্ৰতিজনে নিজ নিজ পাপৰ কাৰণে উপত্যকাত থকা কপৌৰ দৰে শোক
কৰিব। ১৭ সকলোৰে হাত দুৰ্ব্বল হ’ব আৰু সকলোৰে আঁঠু পানীৰ
নিচিনা অস্থিৰ হ’ব, ১৮ তেওঁলোকে চট কাপোৰ পিন্ধিব আৰু মহাত্ৰাস
তেওঁলোকৰ আৱৰণস্বৰূপ হ’ব; প্ৰতিজনৰ মুখমণ্ডল লজ্জিত হ’ব আৰু
তেওঁলোকৰ সকলো মূৰ টকলা কৰা হ’ব। ১৯ তেওঁলোকৰ নিজ
নিজ ৰূপ বাটত পেলাই দিব আৰু তেওঁলোকৰ সোণ অশুচি বস্তু যেন
হ’ব। তেওঁলোকৰ সোণ আৰু ৰূপ যিহোৱাৰ ক্ৰোধৰ দিনা সেইবোৰে
তেওঁলোকক ৰক্ষা কৰিব নোৱাৰিব। তেওঁলোকৰ প্ৰাণ ৰক্ষা কৰা
নহ’ব, আৰু তেওঁলোকৰ উদৰ পূৰ কৰা নহ’ব, কিয়নো তেওঁলোকৰ
অপৰাধবোৰেই তেওঁলোকৰ বিঘিনি হৈ পৰিছে। ২০ তেওঁৰ সুন্দৰ
ভূষনৰ বিষয়ে হ’লে, তেওঁ তাক গৌৰৱযুক্ত কৰি স্থাপন কৰিছিল,
কিন্তু তেওঁলোকে তাত তেওঁলোকৰ ঘিণলগীয়া দেৱতাৰ মূৰ্ত্তি আৰু
তেওঁলোকৰ ঘৃণনীয় বস্তু স্থাপন কৰিলে, এই কাৰণে মই সেইবোৰ
তেওঁলোকলৈ অশুচি বস্তু যেন কৰিলোঁ। ২১ আৰু মই সেইবোৰ বস্তু
বিদেশীসকলৰ হাতত লুটদ্ৰব্য হিচবে, পৃথিৱীৰ দুষ্টবোৰৰ হাতত
শোধাই দিম; তেতিয়া তেওঁলোকে তাক অপবিত্ৰ কৰিব। ২২ যেতিয়া
তেওঁলোকে মোৰ গুপ্তস্থান অশুচি কৰিব, তেতিয়া তেওঁলোকৰ পৰা
মই বিমুখ হ’ম; ডকাইতবোৰে তাত সোমাই তাক অপবিত্ৰ কৰিব। ২৩
তুমি এডাল শিকলি গঢ়োৱা, কিয়নো দেশ ৰক্তপাতৰ অপৰাধেৰে
পৰিপূৰ্ণ হৈ আছে আৰু নগৰ অত্যাচাৰেৰে সম্পূৰ্ণকৈ ভৰি আছে।
২৪ এই কাৰণে মই জাতি সমূহৰ মাজৰ অতি দুষ্টবোৰক আনিম
আৰু তেওঁলোকে তেওঁলোকৰ ঘৰবোৰ অধিকাৰ কৰি ল’ব আৰু মই
বলৱানসকলৰ গৰ্ব্ব খৰ্ব্ব কৰিম; কিয়নো তেওঁলোকৰ পবিত্ৰ স্থানবোৰ
অপবিত্ৰ কৰা হ’ব! ২৫ ভয় আহিব! তেওঁলোকে শান্তি বিচাৰিব,
কিন্তু নাপাব! ২৬ আপদৰ ওপৰি আপদ হ’ব, আৰু জনৰৱৰ উপৰি

জনৰৰ হ'ব! সেই কালত তেওঁলোকে ভাববাদীৰ দৰ্শন বিচাৰিব, কিন্তু
পুৰোহিত আৰু পৰিচাৰকসকলৰ পৰা ব্যৱস্থাৰ পৰা মন্ত্ৰণা লোপ পাব।
২৭ ৰজাই শোক কৰিব আৰু ৰাজকুমাৰে শোকৰ বস্ত্ৰ পৰিধান কৰিব
আৰু দেশৰ প্ৰজাসকলৰ হাত ভয়ত কঁপিব; মই তেওঁলোকৰ আচাৰ-
ব্যৱহাৰ অনুসাৰে তেওঁলোকৰ বিচাৰ কৰিম! আৰু যেতিয়ালৈকে
তেওঁলোকে জানিব পাৰিব যে, মইয়ে তেওঁলোকৰ ঈশ্বৰ যিহোৱা;
তেতিয়ালৈকে মই তেওঁলোকক নিজ মানবিশিষ্ট বিচাৰ কৰিম।"

৮ আমাৰ নিৰ্বাসনৰ ষষ্ঠ বছৰৰ ষষ্ঠ মাহৰ পঞ্চম দিনা, মোৰ ঘৰত
মই বহি থাকোঁতে আৰু যিহূদাৰ পৰিচাৰকসকল মোৰ আগত বহি
থাকোঁতে, সেই ঠাইত প্ৰভু যিহোৱাৰ হাত পুনৰায় মোৰ ওপৰত অৰ্পিত
হ'ল। ২ তেতিয়া চোৱা! মই মনুষ্যৰূপে এক মূৰ্ত্তি যেন দেখা পালোঁ;
আৰু তেওঁৰ কঁকালৰ তলৰ পৰা যেন অগ্নিৰ দৰে আৰু তেওঁৰ কঁকালৰ
পৰা ওপৰ অংশ উজ্বল ধাতুৰ দৰে দেখা গ'ল! ৩ তেতিয়া তেওঁ
হাত এখনৰ আকৃতিৰে মোৰ মূৰৰ চুলি টুকি পোৱাকৈ ধৰিলে; সেই
আত্মাই মোক ওপৰলৈ দাঙি নিলে আৰু ঈশ্বৰীয় দৰ্শনত যিৰূচালেমত,
যি ঠাইত অন্তৰ্জ্বালাজনক অহঙ্কাৰী-মূৰ্ত্তিটো স্থাপিত হৈ আছিল, সেই
ঠাইৰ উত্তৰ দিশে থকা ভিতৰ-চোতালৰ প্ৰৱেশ কৰা পথত, পৃথিৱী
আৰু আকাশৰ মাজেদি মোক লৈ আহিল। ৪ মই সেই উপত্যকাত যি
অৱস্থাত সেই দৰ্শন দেখিছিলোঁ, সেইদৰে ইস্ৰায়েলৰ ঈশ্বৰৰ গৌৰৱো
সেই ঠাইত আছিল। ৫ তেতিয়া তেওঁ মোক ক'লে, "হে মনুষ্য সন্তান,
তুমি চকু তুলি উত্তৰ ফালে চোৱা।" সেই কাৰণে মই উত্তৰ ফালে চকু
তুলি চালোঁ আৰু যজ্ঞবেদীৰ উত্তৰফালে প্ৰৱেশ কৰা স্থানটোৰ ঠাইত
সেই অহংকাৰী মূৰ্ত্তিটো আছিল। ৬ পাছত তেওঁ মোক ক'লে, "হে
মনুষ্য সন্তান, লোকসকলে কি কৰি আছে সেয়া তুমি দেখিছা নে?
মোৰ পবিত্ৰ স্থানৰ পৰা মই আঁতৰ হ'বলৈ ইস্ৰায়েল-বংশই যিবোৰ বৰ
বৰ ঘিণলগীয়া কাৰ্য কৰিছে, সেইবোৰ তুমি দেখিছা নে? কিন্তু তুমি
ইয়াতকৈয়ো অধিক ঘিণলগীয়া কাৰ্য দেখিবলৈ পাবা!" ৭ এই বুলি
তেওঁ মোক চোতালৰ বাট-চৰাৰ দুৱাৰৰ ভিতৰলৈ লৈ গ'ল আৰু তাত
মই চাই দেৱালত এটা বিন্ধা দেখিলোঁ। ৮ তেওঁ মোক ক'লে, "হে

মনুষ্য সন্তান, এই দেৱালখন খান্দি পেলোৱা।” তেতিয়া মই দেৱালখন
খান্দোতে এখন দুৱাৰ দেখা পালোঁ! ৯ তেতিয়া তেওঁ মোক পুনৰ
ক’লে, “তুমি ভিতৰলৈ গৈ তেওঁলোকে তাত কৰি থকা ঘিণলগীয়া
দুষ্কৰ্মবোৰ চোৱা।” ১০ তেতিয়া মই ভিতৰলৈ গৈ চাই দেখিলোঁ যে,
সকলোবিধ উৰগ জন্তুৰ আৰু ঘিণলগীয়া পশুৰ প্ৰতিমূৰ্ত্তি আৰু ইস্ৰায়েল
বংশৰ প্ৰতিমাবোৰ চাৰিওফালে দেৱালত খোদাই কৰি থোৱা আছিল।
১১ আৰু সেইবোৰৰ আগত ইস্ৰায়েল বংশৰ পৰিচাৰকসকলৰ সত্তৰজন
পুৰুষ আৰু তেওঁলোকৰ মাজত চাফনৰ পুত্ৰ যাজনিয়া থিয় হৈ আছিল।
তেওঁলোক প্ৰতিজনে প্ৰতিমাবোৰৰ সন্মুখত থিয় হৈ হাতত এটা এটা
ধূপৰ পাত্ৰ ল’লে যাতে সেই ধূপৰ সুগন্ধযুক্ত ধোঁৱা ওপৰলৈ উঠে।
১২ তেতিয়া তেওঁ মোক ক’লে, “হে মনুষ্য সন্তান, ইস্ৰায়েল-বংশৰ
পৰিচাৰকসকলে অন্ধকাৰত কি কৰিছে সেই বিষয়ে তুমি দেখিছা নে?
এইদৰে প্ৰতিজনে নিজ নিজ গুপ্ত কোঁঠালিত প্ৰতিমাবোৰৰ সৈতে
তেওঁলোকে কয়, ‘যিহোৱাই আমাক দেখা নাপায়! যিহোৱাই দেশখন
ত্যাগ কৰিলে’!” ১৩ তেওঁ মোক পুনৰ ক’লে, “তুমি আকৌ ঘূৰি
চোৱা, তেওঁলোকে কৰি থকা ঘিণলগীয়া কাৰ্যবোৰতকৈয়ো অতি বেছি
দেখিবলৈ পাবা।” ১৪ তাৰ পিছত তেওঁ যিহোৱাৰ গৃহৰ উত্তৰফালৰ
বাট-চৰাৰ দুৱাৰমুখলৈ মোক লৈ যাওঁতে মই দেখিলোঁ, আৰু চোৱা!
সেই ঠাইত মহিলাসকলে বহি তম্মুজৰ বাবে কান্দি আছিল। ১৫
তেতিয়া তেওঁ মোক ক’লে, “হে মনুষ্য সন্তান, তুমি দেখিছা নে? তুমি
ইয়াতকৈয়ো অধিক ঘিণলগীয়া কাৰ্য দেখিবলৈ পাবা।” ১৬ আৰু তেওঁ
মোক যিহোৱাৰ গৃহৰ ভিতৰ চোতাললৈ লৈ গ’ল, আৰু চোৱা! মই
দেখিলোঁ, যিহোৱাৰ মন্দিৰৰ দুৱাৰমুখত, বাৰাণ্ডা আৰু যজ্ঞবেদীৰ
মাজ ভাগত যিহোৱাৰ মন্দিৰৰ ফাললৈ পিঠি দি পূৱফালে মুখ কৰি
প্ৰায় পঞ্চাশজনমান লোকে সূৰ্যৰ আগত প্ৰণিপাত কৰি আছিল। ১৭
তেতিয়া তেওঁ মোক ক’লে, “হে মনুষ্য সন্তান, তুমি ইয়াক দেখিছা
নে? ইয়াত যিহূদা বংশই যি যি ঘিণলগীয়া কাৰ্য কৰিছে, সেই সকলো
কাৰ্য জানো তেওঁলোকলৈ লঘূ বিষয়? কিয়নো তেওঁলোকে দেশ
অত্যাচাৰেৰে পূৰ কৰিলে আৰু মোক বেজাৰ দিবলৈ পুনৰায় ঘূৰিছে;

আৰু চোৰা, তেওঁলোকে ডালবোৰ নাকত লগাইছে। ১৮ এই হেতুকে
ময়ো কোপেৰে কাৰ্য কৰিম; কৃপাদৃষ্টি নকৰিম; আৰু দয়াও নকৰিম;
আৰু তেওঁলোকে বৰ মাতেৰে মোৰ কাণত কাতৰোক্তি কৰিলেও মই
তেওঁলোকৰ কথা নুশুনিম।”

**৯** তেতিয়া যিহোৱাই বৰ মাতেৰে কোৱা এই বাক্য মোৰ কাণত পৰিল
আৰু ক'লে, “প্ৰহৰীসকলৰ প্ৰতিজনক নিজ নিজ হাতত বিনাশক অস্ত্ৰ
লৈ নগৰলৈ আহিবলৈ দিয়া।” ২ তেতিয়া চোৱা! উত্তৰ দিশৰ পৰা
ওপৰ বাট-চৰাৰ বাটেদি নিজ নিজ হাতত হত্যাৰ অস্ত্ৰ লৈ ছয়জন
লোক আহিল। তেওঁলোকৰ মাজত শণ সূতাৰ বস্ত্ৰ পিন্ধা আৰু কঁকালত
লিখকৰ মৈলাম থকা এজন লোক আছিল। এইদৰে তেওঁলোক
ভিতৰলৈ সোমাই পিতলৰ যজ্ঞবেদীৰ কাষত থিয় হ'ল। ৩ তেতিয়া
যি কৰূব কেইজনৰ ওপৰত ইস্ৰায়েলৰ ঈশ্বৰৰ গৌৰৱ আছিল, সেই
গৌৰৱ, সেই কৰূব কেইজনৰ পৰা উঠি গৃহটিৰ দুৱাৰডলিলৈ উঠি গ'ল।
আৰু শণ সূতাৰ বস্ত্ৰ পিন্ধা আৰু কঁকালত মৈলাম থকা সেই লোকজনক
যিহোৱাই মাতিলে। ৪ যিহোৱাই তেওঁক ক'লে, “তোমালোকে নগৰৰ
মাজেৰে যোৱা যিৰূচালেমৰ মাজেৰে আৰু নগৰৰ মাজত চলি থকা
সকলো ঘিণলগীয়া কাৰ্যৰ কাৰণে হুমুনিয়াহ পেলোৱা আৰু চিঞৰি
কন্দা-কতা কৰি থকা লোকসকলৰ কপালত চিন দিয়া।” ৫ তেতিয়া
তেওঁ মই শুনাকৈ আন কেইজনক ক'লে, “তোমালোকে তেওঁৰ পাছে
পাছে নগৰৰ মাজেদি যোৱা আৰু প্ৰহাৰ কৰা! তোমালোকৰ চকুত
কৃপাদৃষ্টি কি দয়া নাথাকক, ৬ বুঢ়া, ডেকা, যুৱতী, শিশু আৰু মহিলা
আদি সকলোকে নিঃশেষে বধ কৰা, দয়া নকৰিবা! কিন্তু মূৰত চিন
থকা কোনো লোকৰ কাষলৈ নাযাবা। মোৰ পবিত্ৰ স্থানৰ পৰা আৰম্ভ
কৰা!” গতিকে তেওঁলোকে গৃহৰ সন্মুখত থকা সেই বৃদ্ধ লোকসকলৰ
পৰা আৰম্ভ কৰিলে। ৭ তেওঁ তেওঁলোকক ক'লে, “গৃহটি অশুচি কৰা,
চোতাল কেইখন হত হোৱা লোকসকলেৰে পূৰ কৰা। আগবাঢ়া!”
গতিকে তেওঁলোকে ওলাই গৈ জেৰুচালেম নগৰক আক্ৰমণ কৰিলে।
৮ যেতিয়া তেওঁলোকে প্ৰহাৰ কৰি আছিল, তেতিয়া মই নিজকে
অকলশৰীয়া যেন অনুভৱ কৰিলোঁ আৰু উবুৰি হৈ পৰি চিঞৰি কান্দি

কান্দি কলোঁ, “হায় হায় প্ৰভু যিহোৱা! আপুনি যিৰূচালেমৰ ওপৰত
আপোনাৰ ক্ৰোধ বৰষাই ইস্ৰায়েলৰ সকলোক অৱশিষ্ট ভাগ বিনষ্ট
কৰিব নে?” ৯ তেওঁ মোক ক’লে, “ইস্ৰায়েল আৰু যিহূদা বংশৰ অপৰাধ
অতিশয় গভীৰ। আৰু দেশ তেজেৰে পৰিপূৰ্ণ, আৰু নগৰখন দুৰ্নীতিৰে
ভৰা; কিয়নো তেওঁলোকে কয়, ‘যিহোৱাই দেশখন ত্যাগ কৰিলে’
আৰু ‘যিহোৱাই দেখা নাপায়!’ ১০ গতিকে মই হ’লে কৃপাদৃষ্টি নকৰিম
আনকি দয়াও নকৰিম। বৰং তেওঁলোকৰ কাৰ্যৰ ফল তেওঁলোকৰ
মূৰত ফলিওৱাম।” ১১ আৰু চোৱা! শণ সূতাৰ বস্ত্ৰ পিন্ধা আৰু কঁকালত
মৈলাম থকা সেই পুৰুষজন ঘূৰি আহিল। “তুমি মোক আজ্ঞা দিয়া
অনুসাৰে মই সকলো কৰিলোঁ”, এই বুলি তেওঁ বাৰ্ত্তা দিলেহি।

**১০** তেতিয়া মই কৰূব কেইজনৰ মূৰৰ ওপৰত থকা চন্দ্ৰতাপ যেন
বস্তুটো গম্বুজৰ ফালে চাই দেখিলোঁ; তেওঁলোকৰ ওপৰত এটি নীলকান্ত
মণিৰ নিচিনা, এখন সিংহাসনৰ মূৰ্ত্তিৰ নিচিনা এক পদাৰ্থই দেখা
দিছিল। ২ আৰু যিহোৱাই শণ সূতাৰ বস্ত্ৰ পিন্ধা পুৰুষজনক কৈছিল,
“তুমি ঘূৰি থকা চক্ৰবোৰৰ মাজলৈ, কৰূব কেইজনৰ তললৈ গৈ
তেওঁলোকৰ মাজৰ পৰা অঞ্জলী ভৰাই জুইৰ আঙঠা লৈ নগৰখনত
সেইবোৰ সিচঁৰিত কৰি পেলোৱা।” তেতিয়া সেই পুৰুষজন মই লক্ষ্য
কৰি থাকোতেই তাত সোমাল। ৩ সেই পুৰুষজন সোমোৱা সময়ত,
কৰূব কেইজন গৃহৰ সোঁফালে থিয় হৈ আছিল আৰু ভিতৰ চোতালখন
মেঘেৰে পৰিপূৰ্ণ হৈ আছিল। ৪ তেতিয়া যিহোৱাৰ গৌৰৱ কৰূব
কেইজনৰ পৰা উঠি গৈ গৃহৰ দুৱাৰ ডলিৰ ওপৰত আছিল; আৰু গৃহটি
মেঘেৰে আৰু চোতালখন যিহোৱাৰ গৌৰৱৰ দীপ্তিৰে পৰিপূৰ্ণ হৈছিল।
৫ আৰু সৰ্ব্বশক্তিমান ঈশ্বৰে কথা কোৱা সময়ৰ শব্দৰ দৰে কৰূব
কেইজনৰ ডেউকাৰ শব্দ বাহিৰ-চোতাললৈকে শুনা গৈছিল। ৬ “তুমি
ঘূৰি থকা চক্ৰবোৰৰ মাজৰ পৰা কৰূব কেইজনৰ মাজ ঠাইৰ পৰা জুই
লোৱা” এইবুলি তেওঁ শণ সূতাৰ বস্ত্ৰ পিন্ধা পুৰুষজনক আজ্ঞা দিয়াত,
তেওঁ সোমাই গৈ এটা চক্ৰৰ কাষত থিয় হ’ল। ৭ তেতিয়া কৰূবজনে
কৰূব কেইজনৰ মাজৰ পৰা তেওঁলোকৰ মাজত থকা জুইলৈ হাত
মেলি তাৰ কিছু লৈ শণ সূতাৰ বস্ত্ৰ পিন্ধা পুৰুষজনৰ হাতত দিলে।

তেওঁ সেইখিনি লৈ ওলাই আহিল। ৮ আৰু কৰূব কেইজনৰ গাত,
তেওঁলোকৰ নিজ নিজ ডেউকাৰ তলত মানুহৰ হাতৰ নিচিনা এক বস্তু
দেখা গ'ল। ৯ পাছত মই চাই দেখিলোঁ, আৰু চোৱা! এজন কৰূবৰ
কাষত এটা চক্ৰ আৰু আন কৰূবৰ কাষত আন চক্ৰ, এইদৰে চাৰিজন
কৰূবৰ কাষত চাৰিটা চক্ৰ আছিল; আৰু সেই চক্ৰ কেইটাৰ আভা
বৈদূৰ্য্য মণিৰ নিচিনা। ১০ আৰু সেইবোৰৰ আকৃতি হ'লে, চাৰিওটা
একে আকৃতিৰ, এনে লাগে যেন চক্ৰৰ মাজতহে চক্ৰ আছে। ১১ যোৱা
সময়ত সেইবোৰ চাৰিকাষে যায়; যোৱা সময়ত সেইবোৰ কোনো
ফালে নুঘূৰে, কিন্তু যি ঠাই মূৰটোৰ সন্মূখ, সেইবোৰ সেই ঠাইৰ
ফালে পাছে পাছে যায়, যোৱা সময়ত কোনো ফালে নুঘূৰে। ১২ আৰু
তেওঁলোকৰ গোটেই গা আৰু তেওঁলোকৰ পিঠি, হাত, ডেউকা আৰু
চক্ৰ চাৰিওফালে চকুৰে ভৰা, তেওঁলোক চাৰিওজনৰেই চক্ৰ চকুৰে
ভৰা। ১৩ সেই চক্ৰকেইটাৰ বিষয়ে হ'লে, মই সেইবোৰক ঘূৰি থকা
চক্ৰ বুলি মতা শুনিলোঁ। ১৪ প্ৰতিজনৰ চাৰিখন চাৰিখন মুখ; প্ৰথমখন
কৰূবৰ, দ্বিতীয়খন মানুহৰ, তৃতীয়খন সিংহৰ আৰু চতুৰ্থখন কুৰৰ
পক্ষীৰ মুখ। ১৫ পাছত কৰূব কেইজন ওপৰলৈ উঠি গ'ল। কবাৰ নদীৰ
পাৰত মই দেখা প্ৰাণী এইবোৰ। ১৬ কৰূব কেইজন যোৱা সময়ত
চক্ৰকেইটাও তেওঁলোকৰ কাষে কাষে যায়; আৰু কৰূব কেইজনে
পৃথিৱীৰ পৰা ওপৰলৈ উঠিবলৈ ডেউকা দঙা সময়ত, চক্ৰকেইটায়ো
তেওঁলোকৰ কাষ নেৰে। ১৭ তেওঁলোক ৰ'লে, সেইবোৰো ৰয় আৰু
তেওঁলোক ওপৰলৈ উঠা সময়ত সেইবিলাকো তেওঁলোকৰ লগত
উঠে; কিয়নো প্ৰাণী কেইজনৰ আত্মা সেইবোৰত আছিল। ১৮ পাছত
যিহোৱাৰ গৌৰৱ দুৱাৰডলিৰ ওপৰৰ পৰা প্ৰস্থান কৰি কৰূব কেইজনৰ
ওপৰত ৰ'ল। ১৯ কৰূব কেইজনে প্ৰস্থান কৰোঁতে, ডেউকা দাঙি মোৰ
সন্মুখেৰে পৃথিৱীৰ পৰা ওপৰলৈ উঠি গ'ল আৰু তেওঁলোকৰ কাষে
কাষে চক্ৰকেইটাও গ'ল। তেওঁলোক যিহোৱাৰ গৃহৰ পূব দিশৰ বাট-
চৰাৰ দুৱাৰমুখত থিয় হ'ল আৰু ইস্ৰায়েলৰ ঈশ্বৰৰ মহিমা তেওঁলোকৰ
ওপৰত আছিল। ২০ তেতিয়া মই ইস্ৰায়েলৰ ঈশ্বৰৰ তলত থকা
কবাৰ নদীত দেখা দৰ্শনৰ পশুবোৰৰ কথা স্মৰণ কৰিলোঁ; আৰু বুজিব

পাতিলোঁ যে, সেইবোৰ কৰূব আছিল। ২১ প্ৰতিজনৰ চাৰিখন চাৰিখন
মুখ আৰু চাৰিখন চাৰিখন ডেউকা আৰু নিজ নিজ ডেউকাৰ তলত
মানুহৰ হাতৰ দৰে হাত আছিল। ২২ তেওঁলোকৰ মুখৰ আকৃতিৰ
বিষয়ে হ'লে, মই কবাৰ নদীৰ ওচৰত দেখা মুখেই মুখ আৰু একে
আকৃতি, একে বস্তু; তেওঁলোক প্ৰতিজনে পোনে পোনে যায়।

**১১** তেতিয়া সেই আত্মাই মোক ওপৰলৈ তুলি নিলে, আৰু যিহোৱাৰ
গৃহৰ পূব দিশত পূবমুৱাকৈ থকা প্ৰৱেশ পথৰ ওচৰলৈ আনিলে। আৰু
চোৱা! সেই প্ৰৱেশ পথৰ দুৱাৰমুখত পঁচিশজন পুৰুষ আছিল। তেতিয়া
মই লোকসকলৰ চলাওঁতা অজ্জুৰৰ পুত্ৰ যাজনিয়া আৰু বনায়াৰ পুত্ৰ
পেলাটিয়াক তেওঁলোকৰ মাজত, এই দুজনক তেওঁলোকৰ মাজত
দেখিলোঁ। ২ ঈশ্বৰে মোক ক'লে, "হে মনুষ্য সন্তান, এইসকল লোকেই
এই নগৰখনত অতিশয় অনৈতিক আচৰণ কৰোঁতা আৰু কু-মন্ত্ৰণা
দিওঁতা। ৩ তেওঁলোকে কৈ থাকে যে, 'ঘৰবোৰ সাজিবৰ সময় ওচৰ
চপা নাই; এই নগৰখন কেৰাহী আৰু আমি মাংস-স্বৰূপ।' ৪ এই
হেতুকে হে মনুষ্য সন্তান, তেওঁলোকৰ বিৰুদ্ধে ভাববাণী প্ৰচাৰ কৰা!"
৫ তেতিয়া যিহোৱাৰ আত্মা মোৰ ওপৰত স্থিতি হ'ল আৰু তেওঁ মোক
ক'লে, "তুমি কোৱা, 'যিহোৱাই এই কথা কৈছে: হে ইস্ৰায়েল-বংশ,
তোমালোকে যিবোৰ কথা কৈ আছা, তোমালোকৰ মনত উদয় হোৱা
সেই কথাবোৰৰ বিষয়ে মই জানো। ৬ তোমালোকে এই নগৰত
হত হোৱা লোকসকলৰ সংখ্যা বৃদ্ধি কৰিলা আৰু ইয়াৰ বাট-পথবোৰ
তেওঁলোকেৰে পৰিপূৰ্ণ কৰিলা। ৭ এই হেতুকে প্ৰভু যিহোৱাই এই
কথা কৈছে: তোমালোকে যি সকলক বধ কৰিলা আৰু যিৰূচালেমৰ
মাজত যিসকলৰ মৃতদেহবোৰ পেলাই থ'লা, তেওঁলোকক মাংস আৰু
নগৰ খনক কেৰাহী যেন কৰিলা; কিন্তু তোমালোকক এই নগৰখনৰ
মাজৰ পৰা বাহিৰ কৰি দিয়া হ'ব। ৮ তোমালোকে তৰোৱাললৈ
ভয় কৰিছা, এই কাৰণে মই তোমালোকৰ ওপৰলৈ তৰোৱালকেই
আনিম'।" এয়ে প্ৰভু যিহোৱাই কৰা ঘোষণা। ৯ "মই তোমালোকক
নগৰৰ মাজৰ পৰা উলিয়াই আনিম আৰু বিদেশীসকলৰ হাতত সমৰ্পণ
কৰিম, কিয়নো মই তোমালোকৰ বিৰুদ্ধে দণ্ডাজ্ঞা সিদ্ধ কৰিম। ১০

তোমালোক তৰোৱালত পতিত হ’বা। মই ইস্রায়েলৰ সীমাৰ ভিতৰতেই
তোমালোকৰ বিচাৰ কৰিম, তেতিয়া মই যে যিহোৱা, সেই বিষয়ে
তোমালোকে জানিবা! ১১ এই নগৰখন তোমালোকৰ কেৰাহীস্বৰূপ
নহ’ব, বা তোমালোক তাৰ মাজত থকা মাংসস্বৰূপ নহ’বা। মই
ইস্রায়েলৰ সীমাৰ ভিতৰতেই তোমালোকৰ বিচাৰ কৰিম। ১২ তেতিয়া
তোমালোকে জানিবা যে, মইয়ে যিহোৱা। মোৰ আজ্ঞা তোমালোকে
লঙ্ঘন কৰিছিলা। তোমালোকে মোৰ পথ অনুসৰণ কৰা নাই। বৰং
তোমালোকৰ চাৰিওফালে থকা জাতিবোৰৰ শাসন প্ৰণালী অনুসাৰে
তোমালোকে কাৰ্য কৰি আছা।” ১৩ আৰু এইদৰে মই ভাববাণী প্ৰচাৰ
কৰি থকাৰ সময়ত, বনায়াৰ পুত্ৰ পেলাটিয়াৰ মৃত্যু হ’ল। মই মূৰ
দোৱাই উবুৰি পৰি চিঞৰি বৰ মাতেৰে কলোঁ, “হায় হায়, প্ৰভু যিহোৱা!
আপুনি ইস্রায়েলৰ অৱশিষ্ট থকা সকলকো সম্পূৰ্ণৰূপে বিনষ্ট কৰিব
নে?” ১৪ যিহোৱাৰ বাক্য মোৰ ওচৰলৈ পুনৰায় আহি মোক ক’লে,
১৫ “হে মনুষ্য সন্তান, তোমাৰ ভাইসকল! তোমাৰ পৰিয়াল, তোমাৰ
বংশৰ লোকসকল আৰু ইস্রায়েলৰ গোটেই বংশ! তোমালোকৰ এই
সকলোকে যিৰূচালেমত থকা সকলো নিবাসীসকলে কয়, ‘তেওঁলোক
যিহোৱাৰ পৰা বহু আঁতৰত আছে! অধিকাৰস্বৰূপে এই দেশ আমাকহে
দিয়া হৈছিল!’ ১৬ এই হেতুকে তুমি ক’বা, ‘প্ৰভু যিহোৱাই এই
কথা কৈছে: যদিও মই তেওঁলোকক জাতি সমূহৰ মাজৰ পৰা দূৰ
কৰিলোঁ আৰু যদিও মই দেশবোৰৰ মাজত তেওঁলোকক ছিন্ন-ভিন্ন
কৰিলোঁ, তথাপি তেওঁলোক যি যি দেশলৈ গৈছিল, সেই ঠাইবোৰত
মই অলপকাল তেওঁলোকৰ ধৰ্মধাম হৈ আছিলোঁ।’ ১৭ এই হেতুকে
কোৱা, ‘প্ৰভু যিহোৱাই এই কথা কৈছে: মই জাতি সমূহৰ মাজৰ
পৰা তোমালোকক সংগ্ৰহ কৰিম আৰু ছিন্ন-ভিন্ন হোৱা দেশবোৰৰ
পৰা তোমালোকক গোটাই আনিম আৰু মই তোমালোকক ইস্রায়েলৰ
দেশখন দিম। ১৮ তেতিয়া তেওঁলোকে সেই ঠাইলৈ যাব আৰু তাৰ
পৰা আটাই জঘন্য আৰু ঘৃণনীয় বস্তুবোৰ দূৰ কৰিব। ১৯ যেতিয়া
তেওঁলোক মোৰ ওচৰ চাপিব, তেওঁলোকক মই এখন নতুন অন্তৰ দিম
আৰু তেওঁলোকত এক নতুন আত্মা স্থিতি কৰিম; মই তেওঁলোকৰ

অন্তৰ আৰু তেওঁলোকৰ শৰীৰৰ পৰা শিলৰূপ হৃদয় গুচাই তেওঁলোকক
মাংসৰূপ হৃদয় দিম, ২০ তেওঁলোকে মোৰ বিধিত চলিব আৰু মোৰ
শাসন-প্ৰণালীবোৰ পালন কৰি সেই অনুসাৰে কাৰ্য কৰিব। তেতিয়া
তেওঁলোক মোৰ প্ৰজা হ'ব আৰু মই তেওঁলোকৰ ঈশ্বৰ হ'ম। ২১ কিন্তু
তেওঁলোকৰ যিসকলে গৰ্হিত আৰু ঘিণলগীয়া বস্তুবোৰৰ পাছত চ'লে,
মই তেওঁলোকৰ নিজ নিজ মূৰত তেওঁলোকৰ সেই কাৰ্যৰ প্ৰতিফল
আনিম। এয়ে প্ৰভু যিহোৱাৰ ঘোষণা।" ২২ তেতিয়া কৰূব কেইজনে
তেওঁলোকৰ নিজ নিজ ডেউকাবোৰ দাঙি তুলিলে আৰু তেওঁলোকৰ
সৈতে কাষে কাষে চক্ৰকেইটাও আছিল আৰু তেওঁলোকৰ ওপৰত
ইস্ৰায়েলৰ ঈশ্বৰৰ গৌৰৱ আছিল। ২৩ আৰু যিহোৱাৰ গৌৰৱ নগৰৰ
মাজৰ পৰা ওপৰলৈ উঠি গ'ল আৰু নগৰৰ পূৱফালে থকা পৰ্ব্বতখনৰ
ওপৰত ৰ'ল। ২৪ আৰু সেই আত্মাই মোক তুলিলৈ দৰ্শনক্ৰমে ঈশ্বৰৰ
আত্মাৰ দ্বাৰাই কলদীয়া দেশলৈ দেশান্তৰিত লোকসকলৰ ওচৰলৈ লৈ
আহিল। তেতিয়া মই দেখা সেই দৰ্শন মোৰ পৰা ওপৰলৈ উঠি গ'ল।
২৫ তেতিয়া যিহোৱাই মোক দেখুউৱা সকলোৰে বিষয় মই দেশান্তৰিত
লোকসকলক কলোঁ।

**১২** পাছত যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল আৰু ক'লে, ২ "হে
মনুষ্য সন্তান, তুমি বিদ্ৰোহী বংশৰ মাজত বাস কৰিছা; দেখিবলৈ চকু
থকাতো তেওঁলোকে নেদেখে, শুনিবলৈ কাণ থকাতো তেওঁলোকে
নুশুনে, কিয়নো তেওঁলোক বিদ্ৰোহী বংশ। ৩ এই হেতুকে হে
মনুষ্য সন্তান, তুমি নিজৰ বাবে দেশান্তৰৰ সামগ্ৰী যুগুত কৰা আৰু
দিনতে তেওঁলোকৰ চকুৰ আগতে নিজ দেশান্তৰলৈ প্ৰস্থান কৰা।
তুমি তেওঁলোকৰ চকুৰ আগতে নিজ ঠাইৰ পৰা আন ঠাইলৈ যোৱা।
তেওঁলোক বিদ্ৰোহী বংশ হ'লেও কিজানি বিবেচনা কৰিব। ৪ তুমি
দিনতে তেওঁলোকৰ চকুৰ আগতে দেশান্তৰৰ সামগ্ৰীৰ দৰে তোমাৰ
সামগ্ৰী বাহিৰ কৰি নিবা আৰু দেশান্তৰলৈ ওলোৱা লোকৰ নিচিনাকৈ
তুমি তেওঁলোকৰ চকুৰ আগতে গধূলি নিজে ওলাবা। ৫ তুমি
তেওঁলোকৰ চকুৰ আগত নগৰৰ দেৱালখন বিন্ধা কৰি তাৰ মাজেদি
সামগ্ৰী উলিয়াবা। ৬ তেওঁলোকৰ চকুৰ আগত তুমি তাক কান্ধত

তুলি আন্ধাৰত বাহিৰলৈ লৈ যাবা; তুমি দেশখন নেদেখিবলৈ তোমাৰ
মুখ ঢাকিবা, কিয়নো মই ইস্রায়েল বংশৰ কাৰণে এক চিনস্বৰূপে
তোমাক প্ৰস্থান কৰিলোঁ।” ৭ গতিকে মই আজ্ঞামতে কাম কৰিলোঁ;
মই দিনতে দেশান্তৰৰ সামগ্ৰীৰ নিচিনাকৈ মোৰ সামগ্ৰী উলিয়াই
নিলোঁ আৰু গধূলি মোৰ হাতেৰেই দেৱালখন খানিলোঁ; মই আন্ধাৰত
তাক উলিয়াই তেওঁলোকৰ চকুৰ আগত কান্ধত তুলি লৈ গ’লো। ৮
পাছত ৰাতিপুৱাতে যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল আৰু ক’লে,
৯ “হে মনুষ্য সন্তান, ‘তুমি কি কৰিছা?’ এই বুলি বিদ্ৰোহী বংশই
ইস্রায়েল বংশই তোমাক জানো কোৱা নাই? ১০ তুমি তেওঁলোকক
কোৱা, ‘প্ৰভু যিহোৱাই এই কথা কৈছে: এই ভাৰ্ যিৰূচালেমত
থকা অধিপতিজনক আৰু তাৰ মাজত থকা ইস্রায়েলৰ আটাই বংশক
বুজায়। ১১ তুমি কোৱা, মই তোমালোকৰ পক্ষে চিনস্বৰূপ; মই কৰা
নিচিনাকৈ তেওঁলোকলৈ কৰা হ’ব; তেওঁলোক দেশান্তৰলৈ বন্দী-
অৱস্থালৈ যাব। ১২ আৰু তেওঁলোকৰ মাজত থকা অধিপতিজনে নিজ
কান্ধত বোজা লৈ আন্ধাৰত ওলাই যাব; তেওঁলোকে সামগ্ৰী উলিয়াবৰ
কাৰণে দেৱাল খানিব। তেওঁ নিজৰ মুখ ঢাকিব, কাৰণ তেওঁ চকুৰে
দেশখন নেদেখিব।’ ১৩ মোৰ জালখন মই তেওঁৰ ওপৰত মেলিম
দিম আৰু তেওঁ মোৰ ফান্দত পৰিব; আৰু মই তেওঁক কলদীয়াসকলৰ
দেশলৈ অৰ্থাৎ বাবিললৈ লৈ যাম, তথাপি তেওঁ তাক নেদেখিব। অথচ
তেওঁ তাতেই মৰিব। ১৪ আৰু তেওঁৰ চাৰিওফালে থকা তেওঁৰ আটাই
সহায়কাৰীক আৰু তেওঁৰ সকলো সৈন্যক মই আটাই বায়ুত উড়ুৱাই
দিম; আৰু মই ফাকৰ পৰা তৰোৱাল উলিয়াই তেওঁলোকৰ পাছে
পাছে খেদি যাম। ১৫ যেতিয়া মই তেওঁলোকক জাতিবোৰৰ মাজত
ছিন্ন-ভিন্ন কৰিম আৰু দেশবোৰৰ মাজত তেওঁলোকক গোট গোট
কৰিম, তেতিয়া মই যে যিহোৱা তাক তেওঁলোকে জানিব। ১৬ কিন্তু
তেওঁলোক যি জাতিবোৰৰ মাজলৈ যাব, সেই জাতিবোৰৰ মাজত
তেওঁলোকে নিজৰ ঘিণলগীয়া কাৰ্য প্ৰকাশ কৰিবৰ কাৰণে, তৰোৱালৰ
পৰা, আকালৰ পৰা আৰু মহামাৰীৰ পৰা তেওঁলোকৰ কেতবোৰ
লোকক মই অৱশিষ্ট ৰাখিম, তাতে, মইযে যিহোৱা তাক তেওঁলোকে

জানিব!” ১৭ পাছে যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল আৰু ক’লে,
১৮ “হে মনুষ্য সন্তান, তুমি কঁপি কঁপি নিজৰ আহাৰ ভোজন কৰা,
কম্পন আৰু সাৱধানেৰে নিজৰ জল পান কৰা। ১৯ আৰু তুমি দেশৰ
লোকসকলক কোৱা, ‘ইস্রায়েল দেশত থকা যিৰূচালেম-নিবাসীসকলৰ
বিষয়ে প্ৰভু যিহোৱাই এই কথা কৈছে: তাৰ নিবাসী আটাইবোৰৰ
অত্যাচাৰৰ কাৰণে তাত থকা সকলো নষ্ট হৈ তেওঁলোকৰ দেশ উচ্ছন্ন
হ’বৰ কাৰণে, তেওঁলোকে সাৱধানেৰে তেওঁলোকৰ আহাৰ ভোজন
কৰিব আৰু বিস্ময়েৰে তেওঁলোকৰ জল পান কৰিব। ২০ আৰু বাস
কৰা নগৰবোৰ উচ্ছন্ন কৰা হ’ব আৰু দেশ ধ্বংসস্থান হ’ব; তাতে, মই
যে, যিহোৱা তাক তোমালোকে জানিবা!” ২১ আকৌ যিহোৱাৰ বাক্য
মোৰ ওচৰলৈ আহিল আৰু ক’লে, ২২ “হে মনুষ্য সন্তান, দিন পলম
হৈছে, প্ৰত্যেক দৰ্শন বিফল হৈছে”, ‘ইস্রায়েল দেশত প্ৰচলিত হোৱা
তোমালোকৰ এইটো কি কথা?’ ২৩ এই হেতুকে তেওঁলোকক কোৱা,
প্ৰভু যিহোৱাই এই কথা কৈছে: ‘মই এই প্ৰচলিত কথা লুপ্ত কৰিম আৰু
এইটো ইস্রায়েলৰ মাজত আৰু নচলিব’।” কিন্তু তেওঁলোকক কোৱা,
“দিন আৰু প্ৰত্যেক দৰ্শনৰ সফলতা ওচৰ!” ২৪ কিয়নো ইস্রায়েল
বংশৰ ভিতৰত অনৰ্থক দৰ্শন বা মানুহে ভাল পোৱা মঙ্গল চোৱা কথা
আৰু নহ’ব। ২৫ কাৰণ ময়েই যিহোৱা! মই ক’ম আৰু মই কোৱা বাক্য
সিদ্ধ হ’ব। তাক আৰু আগলৈ থোৱা নহ’ব। কিয়নো হে বিদ্ৰোহী বংশ,
প্ৰভু যিহোৱাই কৈছে, তোমালোকৰ দিনতেই মই বাক্য ক’ম আৰু তাক
সিদ্ধও কৰিম। ২৬ আকৌ যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল আৰু
ক’লে, ২৭ “হে মনুষ্য সন্তান, চোৱা! ইস্রায়েল-বংশই কয়, ‘তেওঁ পোৱা
দৰ্শনৰ কথা ঘটিবলৈ বহুদিন আছে, তেওঁ অতি দীৰ্ঘকালৰ বিষয়ে
ভাববাণী প্ৰচাৰ কৰে।’ ২৮ এই হেতুকে তুমি তেওঁলোকক কোৱা, ‘প্ৰভু
যিহোৱাই এই কথা কৈছে: মোৰ বাক্য কোনোটোৱেই ফলিয়াবলৈ
পলম নহ’ব; কিন্তু মই যি বাক্য ক’ম, সেয়ে সিদ্ধ হ’ব।’ এয়ে প্ৰভু
যিহোৱাৰ বচন!”

**১৩** পুনৰ যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল আৰু ক’লে, ২ “হে
মনুষ্য সন্তান, ভাববাণী প্ৰচাৰ কৰোঁতা ইস্রায়েলৰ ভাববাদীসকলৰ

বিৰুদ্ধে ভাববাণী প্ৰচাৰ কৰা আৰু নিজ নিজ হৃদয়ৰ পৰা ভাববাণী
প্ৰচাৰ কৰোঁতা সকলক কোৱা, ‘তোমালোকে যিহোৱাৰ বাক্য শুনা! ৩
প্ৰভু যিহোৱাই এই কথা কৈছে: “নিজ নিজ আত্মাৰ আৰু নোপোৱা
দৰ্শনৰ অনুগামী হোৱা মুৰ্খ ভাববাদীবোৰৰ সন্তাপ হ’ব! ৪ হে ইস্ৰায়েল,
তোমাৰ ভাববাদীসকল উচ্ছন্ন ঠাইৰ শিয়ালৰ নিচিনা। ৫ যিহোৱাৰ
যুদ্ধৰ দিনা থিৰে থাকিবলৈ, তোমালোকে দেৱালৰ ভঙা বাটত উঠা
নাই বা ইস্ৰায়েলৰ বংশৰ চাৰিওফালে দেৱাল নিৰ্ম্মাণ কৰা নাই; ৬
যিহোৱাই কৈছে এই বুলি কওঁতাসকলে অনৰ্থক দৰ্শন পায়, মিছা মঙ্গল
চায়’।” আৰু যিহোৱাই নপঠোৱাকৈয়ে বাক্য সিদ্ধ হ’ব বুলি বাট চাই
থাকে। ৭ তোমালোকে জানো অনৰ্থক দৰ্শন পোৱা নাই? আৰু মিছা
মঙ্গলৰ কথা জানো কোৱা নাই? “তথাপি মই নোকোৱাকৈয়ে যিহোৱাই
কৈছে বুলি তোমালোকে কোৱা?” ৮ এই হেতুকে প্ৰভু যিহোৱাই এই
কথা কৈছে: তোমালোকে অনৰ্থক বাক্য কৈছা আৰু মিছা দৰ্শন পাইছা;
চোৱা, মই তোমালোকৰ বিপক্ষ - এই কাৰণে, প্ৰভু যিহোৱাই এইদৰে
কৈছে। ৯ “মোৰ হাত অনৰ্থক দৰ্শন পোৱা, আৰু মিছা মঙ্গল চোৱা
ভাববাদীসকলৰ বিপক্ষ হ’ব। তেওঁলোক মোৰ প্ৰজাসকলৰ সভাত
নাথাকিব বা ইস্ৰায়েল-বংশৰ নামৰ তালিকাত তেওঁলোকৰ নাম লিখা
নহ’ব; তেওঁলোক কোনোমতে ইস্ৰায়েল দেশত সোমাব নোৱাৰিব।
কাৰণ মই যে প্ৰভু যিহোৱা, এই বিষয়ে তোমালোকে জানিবা! ১০
শান্তি নোহোৱাকৈয়ে তেওঁলোকে ‘শান্তি!’ বুলি কৈ মোৰ প্ৰজাসকলক
ভুলায় আৰু যেতিয়া কোনোৱে দেৱাল সাজে, তেতিয়া তেওঁলোকে
তাক চূণেৰে লিপে। ১১ এই হেতুকে চূণেৰে লিপি থকা লোকসকলক
তুমি কোৱা: ‘এইবোৰ পৰিব; প্লাবন কৰোঁতা মহাবৃষ্টি আহিব; এইবোৰ
পৰিবলৈ মই বৃষ্টিৰ মহাশিল আৰু ভাঙিবলৈ মহা বতাহ পঠিয়াম।
১২ চোৱা, যেতিয়া দেৱাল পৰিব, তেতিয়া, “তোমালোকে যিবোৰত
চূণ দিলা, সেই লেও ক’ত? এইবুলি তোমালোকক কোৱা নাযাব
নে’?” ১৩ এই হেতুকে প্ৰভু যিহোৱাই এই কথা কৈছে: ‘মই মোৰ
ক্ৰোধত মহা বতাহেৰে তাক ভাঙিম, প্লাবন কৰোঁতা মহাবৃষ্টি মোৰ
কোপত আহিব, আৰু মোৰ ক্ৰোধত নষ্ট কৰিবলৈ মহাশিলাবৃষ্টি হ’ব!

১৪ এইদৰে, তোমালোকে চূণেৰে লিপা দেৱাল মই ভাঙিম, আৰু ইয়াৰ
ভিত্তিমূল ওলাই পৰাকৈ মই তাক মাটিৰে সমান কৰিম। গতিকে
সেয়ে পৰিব আৰু তোমালোকে তাৰ মাজত বিনষ্ট হ'বা। তেতিয়া
মই যে যিহোৱা, তাক তোমালোকে জানিবা! ১৫ মোৰ ক্ৰোধেৰে
দেৱালৰ ওপৰত আৰু চূণেৰে লিপাবোৰ নিৰ্মূল কৰিম, মই এইদৰে
সিদ্ধ কৰিম আৰু মই তোমালোকক ক'ম, সেই দেৱাল আৰু নাই,
আৰু তাক লিপাবোৰো, ১৬ অৰ্থাৎ যিৰূচালেমৰ বিষয়ে ভাববাণী
প্ৰচাৰ কৰা আৰু শান্তি নথকাতো তাৰ বাবে দৰ্শন পোৱা ইস্ৰায়েলৰ
ভাববাদীবোৰো নাই!” ইয়াক প্ৰভু যিহোৱাই কৈছে।' ১৭ আৰু হে
মনুষ্য সন্তান, তোমাৰ জাতিৰ যি জীয়াৰীবোৰে নিজ নিজ হৃদয়ৰ
পৰা ভাববাণী প্ৰচাৰ কৰে, তেওঁলোকৰ অহিতে তুমি মুখ কৰা আৰু
তেওঁলোকৰ বিৰুদ্ধে ভাববাণী প্ৰচাৰ কৰা। ১৮ এইদৰে কোৱা, ‘প্ৰভু
যিহোৱাই এই কথা কৈছে: লোকৰ প্ৰাণ মৃগয়া কৰিবলৈ, আটাইবোৰ
কিলাকুটিত গাঁৰু সিয়াই দিওঁতা আৰু ওখ অনুসাৰে প্ৰত্যেকৰ মূৰৰ
কাৰণে ওৰণি তৈয়াৰ কৰোঁতা মহিলাসকলৰ সন্তাপ হ'ব; তোমালোকে
মোৰ প্ৰজাসকলৰ প্ৰাণ মৃগয়া কৰি তোমালোকৰ কাৰণে প্ৰাণবোৰ
জীয়াই ৰাখিবা নে? ১৯ মিছা কথালৈ কাণ দিওঁতা মোৰ প্ৰজাসকলৰ
আগত তোমালোকে মিছা কথা কৈ, মৰিব নলগাসকলৰ প্ৰাণ বধ
কৰিবলৈ আৰু জীয়াই থাকিব নলগাসকলৰ প্ৰাণ জীয়াই ৰাখিবলৈ
কেই-খামোচমান যৱৰ আৰু কেইডোখৰ মান পিঠাৰ কাৰণে মোৰ
প্ৰজাসকলৰ মাজত মোক অপবিত্ৰ কৰিলা। ২০ এই হেতুকে প্ৰভু
যিহোৱাই এই কথা কৈছে: চোৱা, যি গাঁৰুবোৰে পক্ষী-চিকাৰৰ দৰেই
তোমালোকে প্ৰাণবোৰ মৃগয়া কৰা, তোমালোকৰ সেই গাঁৰুবোৰৰ
মই বিপক্ষ আৰু মই তোমালোকৰ বাহুৰ পৰা সেইবোৰ ছিঙি পেলাম
আৰু পক্ষী-চিকাৰৰ দৰেই তোমালোকে মৃগয়া কৰা প্ৰাণবোৰ এৰি
দিম। ২১ মই তোমালোকৰ ওৰণিও ফালিম আৰু তোমালোকৰ হাতৰ
পৰা মোৰ প্ৰজাসকলক উদ্ধাৰ কৰিম, মৃগয়া কৰিবলৈ তোমালোকৰ
হাতত তেওঁলোক আৰু নাথাকিব; তাতে মই যে, যিহোৱা, সেই বিষয়ে
তোমালোকে জানিবা। ২২ মই দুখ নিদিয়া ধাৰ্মিকসকলৰ হৃদয়ত

তোমালোকে মিছা কথাৰে দুখ দিয়াৰ কাৰণে আৰু দুষ্টই নিজ প্ৰাণ
জীয়াই ৰাখিবলৈ নিজ কু-পথৰ পৰা নুঘূৰিবৰ কাৰণে সেই দুষ্টৰ হাত
সবল কৰাৰ কাৰণে, ২৩ তোমালোকে অনৰ্থক দৰ্শন আৰু নেদেখিবা
আৰু মঙ্গল চাবলৈ নাপাবা; কিন্তু মই তোমালোকৰ হাতৰ পৰা মোৰ
প্ৰজাসকলক উদ্ধাৰ কৰিম; তাতে, মই যে, যিহোৱা, তাক তোমালোকে
জানিবা'!"

১৪ ইস্ৰায়েলৰ পৰিচাৰকসকলৰ কেইজনমান মোৰ ওচৰলৈ আহি
মোৰ আগত বহিল। ২ তেতিয়া যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল
আৰু ক'লে, ৩ "হে মনুষ্য সন্তান, এই লোকসকলে তেওঁলোকৰ
প্ৰতিমাবোৰক নিজ নিজ হৃদয়ত ঠাই দিছে আৰু নিজৰ সন্মুখত নিজৰ
নিজৰ অপৰাধ জন্মাওঁতা বিঘিনি ৰাখিছে। সেই বিষয়ে মই জানো
তেওঁলোকক পৰামৰ্শ দিম? ৪ সেইবাবে তুমি তেওঁলোকক এই কথা
কৈ ঘোষণা কৰা, 'প্ৰভু যিহোৱাই এই কথা কৈছে: ইস্ৰায়েল-বংশৰ যি
কোনো লোকে নিজ প্ৰতিমাবোৰক হৃদয়ত ঠাই দিব বা নিজৰ সন্মুখত
নিজৰ অপৰাধ জন্মাওঁতা বিঘিনি ৰাখিব আৰু কোনো এজন লোকে
যেতিয়া ভাববাদী এজনৰ ওচৰলৈ আহিব - সেই অহা লোকজনৰ
বাহুল্য প্ৰতিমাবোৰৰ অনুসাৰে, মই যিহোৱাই, নিজেই তেওঁক উত্তৰ
দিম। ৫ মই এইদৰে কৰিম যাতে ইস্ৰায়েলৰ গোটেই বংশ তেওঁলোকৰ
হৃদয় মোলৈ পুনৰায় ঘূৰাই আনিব পাৰিম, কিয়নো তেওঁলোকৰ
প্ৰতিমাবোৰে তেওঁলোকক মোৰ পৰা আঁতৰ কৰি ৰাখিছে!' ৬ এই
হেতুকে তুমি ইস্ৰায়েল বংশক কোৱা, 'প্ৰভু যিহোৱাই এই কথা কৈছে:
তোমালোকে মন পালটোৱা আৰু তোমালোকৰ প্ৰতিমাবোৰৰ পৰা
ঘূৰি আহাঁ! আৰু তোমালোকৰ আটাই ঘিণলগীয়া কাৰ্যবোৰলৈ পিঠি
দিয়া! ৭ কিয়নো ইস্ৰায়েল বংশৰ মাজত আৰু ইস্ৰায়েলত প্ৰবাস কৰা
বিদেশীবোৰৰ মাজত যি কোনোৱে মোৰ পৰা নিজকে পৃথকে ৰাখিব,
যিজনে নিজৰ প্ৰতিমাবোৰক হৃদয়ত ঠাই দিব আৰু নিজৰ সন্মুখত
নিজৰ অপৰাধ জন্মাওঁতা বিঘিনি ৰাখিব আৰু যিজনে মোক বিচাৰি
ভাববাদী এজনৰ ওচৰলৈ আহিব - মই যিহোৱাই নিজেই তেওঁক উত্তৰ
দিম! ৮ তাৰ বাবে মই সেই মানুহজনৰ বিৰুদ্ধে বিমুখে থাকিম আৰু

তেওঁক এটা চিন আৰু দৃষ্টান্তৰ বিষয় কৰিম, কিয়নো তেওঁক মই মোৰ
লোকসকলৰ মাজৰ পৰা উচ্ছন্ন কৰিম; তেতিয়া মই যে যিহোৱা, সেই
বিষয়ে তোমালোকে জানিবা! ৯ যদি কোনো ভাববাদীয়ে ভ্ৰান্ত হৈ
আৰু কোনো বাক্য কয়, তেতিয়া মই, যিহোৱাই, সেই ভাববাদীজনক
ভ্ৰান্ত কৰিম; আৰু মই তেওঁৰ বিৰুদ্ধে হাত মেলি, মোৰ প্ৰজা ইস্ৰায়েল
লোকসকলৰ মাজৰ পৰা তেওঁক বিনষ্ট কৰিম। ১০ এইদৰে তেওঁলোকে
নিজ নিজ অপৰাধৰ দণ্ড ভুগিব। সেই ভাববাদীজনৰ ওচৰলৈ পৰামৰ্শ
ল'বলৈ যোৱা লোকজনৰ অপৰাধ দুয়োৰে সমান হ'ব। ১১ ইয়াৰ
অভিপ্ৰায় এই, যেন ইস্ৰায়েল-বংশই মোৰ পৰা বিপথে নাযায়; আৰু
তেওঁলোকৰ অপৰাধবোৰৰ কোনো অপৰাধেৰে নিজক আৰু অশুচি
নকৰে, কিন্তু তেওঁলোক যেন মোৰ প্ৰজা হয় আৰু মই তেওঁলোকৰ
ঈশ্বৰ হওঁ, ইয়াক প্ৰভু যিহোৱাই কৈছে। ১২ তেতিয়া যিহোৱাৰ বাক্য
মোৰ ওচৰলৈ আহিল আৰু ক'লে, ১৩ "হে মনুষ্য সন্তান, যদি এখন
দেশে সত্য লঙ্ঘন কৰি মোৰ বিৰুদ্ধে পাপ কৰে আৰু মই তাৰ অহিতে
মোৰ হাত মেলি তাৰ অন্নৰূপ লাখুটি ভাঙো আৰু তালৈ আকাল
পঠিয়াই তাৰ পৰা মানুহ আৰু পশু সকলোকে উচ্ছন্ন কৰোঁ; ১৪
তেতিয়া যদিও নোহ, দানিয়েল আৰু ইয়োব, এই তিনিজন লোক সেই
ঠাইৰ মাজত থাকিলেও, তেওঁলোকে নিজ নিজ ধাৰ্মিকতাৰ দ্বাৰাই
কেৱল নিজ নিজ প্ৰাণহে ৰক্ষা কৰিব পাৰিব," এয়ে প্ৰভু যিহোৱাৰ
বচন। ১৫ বা যদি সেই দেশৰ সকলো ফালে হিংস্ৰ জন্তু পঠিয়াই
দিওঁ আৰু সেইবোৰে তাক সন্তানহীন কৰে আৰু সেই জন্তুবোৰৰ
কাৰণে কোনো মানুহ তাৰ মাজেদি যাব নোৱাৰাকৈ উচ্ছন্ন হয়, ১৬
তেন্তে সেই একে তিনিজনলোক তাত থাকিলেও, মোৰ জীৱনৰ শপত,
"প্ৰভু যিহোৱাই কৈছে, তেওঁলোকে পো বা জীহঁতক উদ্ধাৰ কৰিব
নোৱাৰিব, কেৱল তেওঁলোকেহে ৰক্ষা পাব, কিন্তু দেশ হ'লে উচ্ছন্ন
হ'ব। ১৭ বা যদি মই সেই দেশৰ বিৰুদ্ধে এখন তৰোৱাল আনো
আৰু কওঁ 'হে তৰোৱাল, দেশৰ মাজেদি যা আৰু তাৰ পৰা লোক
সমূহ আৰু পশু সকলোকে উচ্ছন্ন কৰ' - ১৮ তেতিয়া সেই তিনিজন
লোক সেই ঠাইৰ মাজত থাকিলেও - মোৰ জীৱনৰ শপত, "প্ৰভু

যিহোৱাই কৈছে, “তেওঁলোকে পো বা জীহঁতক উদ্ধাৰ কৰিব নোৱাৰিব,
কেৱল তেওঁলোকেহে ৰক্ষা পাব। ১৯ বা যদি মই সেই দেশৰ বিৰুদ্ধে
এক মহামাৰী পঠিয়াওঁ আৰু তাৰ পৰা মানুহ আৰু পশু সকলোকে
উচ্ছন্ন কৰিবলৈ তাৰ ওপৰত মোৰ ক্ৰোধ বৰষাই তেজ বোৱাওঁ, ২০
তেতিয়া যদিওবা নোহ, দানিয়েল আৰু ইয়োব সেই ঠাইত থাকিলে হয়
- মোৰ জীৱনৰ শপত, “প্ৰভু যিহোৱাই কৈছে, “তেওঁলোকে নিজৰ
পো’সকলক বা আনকি নিজৰ জী’সকলক উদ্ধাৰ কৰিব নোৱাৰিব;
কেৱল তেওঁলোকৰ নিজ প্ৰাণহে ধাৰ্মিকতাৰ দ্বাৰাই ৰক্ষা পাব।” ২১
কিয়নো প্ৰভু যিহোৱাই এই কথা কৈছে: “মই নিশ্চয়কৈ নিকৃষ্টৰভাৱে
মানুহ আৰু পশুক যিৰূচালেমৰ বিৰুদ্ধে সকলোকে উচ্ছন্ন কৰিবলৈ
মোৰ এই চাৰিওটা মহা-আপদ অৰ্থাৎ তৰোৱাল, আকাল, হিংস্ৰ জন্তু
আৰু মহামাৰী পঠিয়াম। ২২ তথাপি চোৱা! তাৰ মাজত ৰক্ষা পোৱা
লোকসকল তেওঁলোকৰ পুত্ৰসকল আৰু জীয়েকসকলৰ লগত বাহিৰলৈ
ওলাই যাব। চোৱা! তেওঁলোক তোমালোকৰ ওচৰলৈ ওলাই আহিব
আৰু তোমালোকে তেওঁলোকৰ আচাৰ-ব্যৱহাৰ আৰু তেওঁলোকৰ
কাৰ্য দেখিবলৈ পাবা; তেতিয়া যিৰূচালেমলৈ মই ঘটোৱা অমঙ্গলৰ
বিষয়ে আৰু তাৰ বিৰুদ্ধে মই ঘটোৱা সকলোৰে বিষয়ে তোমালোকে
শান্তনা পাবা। ২৩ তোমালোকে তেওঁলোকৰ আচাৰ-ব্যৱহাৰ আৰু কাৰ্য
দেখিলে, তেওঁলোকে তোমালোকক শান্তনা দিব; তেতিয়া তোমালোকে
জানিবা যে, মই তাৰ বিৰুদ্ধে কৰা একোকে বিনা কাৰণে কৰা নাই!”
এয়ে প্ৰভু যিহোৱাৰ বাক্য।

**১৫** তেতিয়া যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল আৰু ক’লে, ২ “হে
মনুষ্য সন্তান, দ্ৰাক্ষালতাৰ কাঠ, কাঠনিৰ গছবোৰৰ মাজৰ দ্ৰাক্ষালতাৰ
ডাল আন সকলো গছৰ কাঠতকৈ কিহত শ্ৰেষ্ঠ? ৩ কোনো কাৰ্য
কৰিবলৈ মানুহে জানো দ্ৰাক্ষালতাৰ কাঠৰ পৰা কাঠ ল’ব? বা কোনো
পাত্ৰ আঁৰি থবলৈ জানো তাৰ পৰা এটি খুটি আনিব? ৪ চোৱা! ইন্ধন
যোগবলৈ যদি তাক পুৰিবলৈ জুইত পেলাই দিয়া হয় আৰু যদি জুয়ে
তাৰ দুই মূৰ ভস্ম কৰিলে আৰু তাৰ মাজ ভাগ পোৰা গ’লে সেয়ে
জানো কোনো কাৰ্যৰ যোগ্য হ’ব? ৫ চোৱা! যেতিয়া সেয়ে সম্পূৰ্ণ

হলেও কোনো কাৰ্যৰ উপযুক্ত নহয়; তেন্তে জুয়ে তাক ভস্ম কৰিলে
আৰু সেয়ে পোৰা গ'লেও কোনো কামৰ বাবে সেয়ে আৰু কিমান কম
উপযুক্ত হ'ব? ৬ এই হেতুকে প্ৰভু যিহোৱাই এই কথা কৈছে: কাঠনিৰ
গছবোৰৰ মাজৰ দ্ৰাক্ষালতাক যেনেকৈ লোকে পুৰিবলৈ জুইত দিয়ে,
তেনেকৈ মই যিৰূচালেম নিবাসীসকলৰ প্ৰতিও তেনে কৰিম। ৭ কাৰণ
মই তেওঁলোকৰ বিৰুদ্ধে মুখ ঘুৰাম। যদিওবা তেওঁলোক জুইৰ পৰা
ওলাই যাব, কিন্তু আন জুইয়ে তেওঁলোকক ভস্ম কৰিব; আৰু যেতিয়া
মই তেওঁলোকৰ বিৰুদ্ধে মুখ কৰিম, তেতিয়া মই যে যিহোৱা, সেই
বিষয়ে তোমালোকে জানিবা। ৮ আৰু তেওঁলোকে সত্য লঙ্ঘন কৰাৰ
বাবে, মই দেশ উচ্ছন্ন কৰিম।" ইয়াক যিহোৱাই কৈছে।

**১৬** তেতিয়া যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল আৰু ক'লে, ২ "হে
মনুষ্য সন্তান, তুমি যিৰূচালেমক তাইৰ নিজৰ ঘিণলগীয়া কাৰ্যবোৰ
জনোৱা, ৩ আৰু কোৱা, 'প্ৰভু যিহোৱাই যিৰূচালেমক এই কথা কৈছে:
"তোমাৰ উৎপত্তি আৰু জন্মৰ ঠাই কনানীয়াসকলৰ দেশ; তোমাৰ পিতৃ
ইমোৰীয়া আৰু তোমাৰ মাতৃ হিত্তীয়া আছিল। ৪ তোমাৰ জন্মবৃত্তান্ত
এই, তোমাৰ জন্ম দিনা তোমাৰ নাড়ী কটা নাছিল বা তোমাক পৰিষ্কাৰ
কৰিবলৈ তোমাক পানীত ধুউৱা নাছিল, তোমাক সমূলি লোণ ঘঁহা
কি কাপোৰেৰে মেৰোৱা নাছিল। ৫ তোমাক দয়া কৰি তোমালৈ
এইবোৰৰ কোনো এটাকে কৰিবৰ অৰ্থে তোমালৈ কোনেও কৃপাদৃষ্টি
নকৰিছিল; কিন্তু তোমাৰ জন্মদিনা, তোমাৰ গা ঘিণলগীয়া হোৱাৰ
কাৰণে তোমাক মুকলি পথাৰত পেলাই দিয়া হৈছিল। ৬ সেই সময়ত
মই তোমাৰ ওচৰেদি গৈ তোমাৰ তেজত তোমাক ধৰফৰোৱা দেখি
তোমাক ক'লোঁ যে, যদিও তুমি নিজ তেজত পৰি আছা, তথাপি জীয়াই
থাকা, হয়, মই তোমাক ক'লোঁ, যে, যদিও তুমি নিজ তেজত পৰি
আছা, তথাপি জীয়াই থাকা। ৭ পথাৰত গজা তৃণৰ দৰে মই তোমাক
অধিককৈ বঢ়ালোঁ আৰু তুমি বাঢ়ি ডাঙৰ-দীঘল থ'লো আৰু অতি সুন্দৰী
থ'লো; তোমাৰ স্তন পূৰ্ণ হ'ল আৰু কেশ দীৰ্ঘ হ'ল, তথাপি তুমি বিবস্ত্ৰা
আৰু উলঙ্গিনী আছিলা। ৮ তেতিয়া মই তোমাৰ ওচৰেদি গৈ তোমাক
দেখিলোঁ, চোৱা! তোমাৰ সময় প্ৰেমৰ সময়; এই কাৰণে মই তোমাৰ

ওপৰত বস্ত্ৰৰ আঁচল মেলি দি তোমাৰ উলঙ্গতা ঢাকিলোঁ” আৰু প্ৰভু
যিহোৱাই কৈছে মই তোমাৰ আগত শপত কৰি তোমাৰে সৈতে এটি
নিয়ম বান্ধিলোঁ, “তাতে তুমি মোৰ থ'লো। ৯ গতিকে মই তোমাক
পানীৰে ধুলোঁ, এনে কি, তোমাৰ গাৰ পৰা তোমাৰ তেজ সম্পূৰ্ণকৈ
ধুই তেল ঘঁহিলোঁ। ১০ মই তোমাক কাৰচিপি বন কৰা কাপোৰো
পিন্ধালোঁ, তোমাৰ ভৰিত তহচ জন্তুৰ ছালৰ জোতা দিলোঁ, তোমাৰ
কঁকালত মিহি শণ সূতাৰ টঙালি বান্ধিলোঁ আৰু তোমাক পাতৰ বস্ত্ৰেৰে
বিভূষিত কৰিলোঁ। ১১ মই তোমাক অলঙ্কাৰেৰেও সজালোঁ, তোমাৰ
হাতত খাৰু আৰু ডিঙিত হাৰ দিলোঁ। ১২ মই তোমাৰ নাকত নথ,
কাণত কুণ্ডল, আৰু তোমাৰ মূৰত সুন্দৰ কিৰীটি দিলোঁ। ১৩ এইদৰে
সোণ আৰু ৰূপেৰে তোমাক সজোৱা হ'ল; তোমাৰ বস্ত্ৰ মিহি শণ সূতাৰ
পাতৰ আৰু কাৰচিপি বন কৰা; তুমি মিহি আটা, মৌ-জোল আৰু তেল
খাইছিলা; তুমি অতি সুন্দৰী হৈ উন্নতি-লাভ কৰি ৰাণী পদ পালা। ১৪
আৰু তোমাৰ সৌন্দৰ্য্যৰ কাৰণে তোমাৰ যশস্যা জাতিবোৰৰ মাজত
ব্যাপিল; কিয়নো প্ৰভু যিহোৱাই কৈছে, মই তোমাৰ ওপৰত স্থাপন কৰা
মোৰ শ্ৰীৰ বাবে তোমাৰ সৌন্দৰ্য্য সম্পূৰ্ণ হ'ল।” ১৫ কিন্তু তুমি নিজ
সৌন্দৰ্য্যত নিৰ্ভৰ কৰি নিজৰ যশস্যাৰ কাৰণে বেশ্যাবৃত্তি ধৰিলা আৰু
প্ৰত্যেক বাটৰুৱাৰ লগত অধিক পৰিমাণে বেশ্যাকৰ্ম কৰিলা; তাৰহে
ভোগ হ'ল। ১৬ আৰু তুমি নিজৰ কেইখনমান কাপোৰ লৈ, তাৰে
নিজৰ বাবে চিত্ৰবিচিত্ৰ ওখ ঠাই কৰি তাৰ ওপৰত বেশ্যাকৰ্ম কৰিলা;
এনে কথা হোৱা নাই, আৰু নহ'বও। ১৭ মই তোমাক দিয়া মোৰ সোণ
আৰু ৰূপেৰে কৰা তোমাৰ সুন্দৰ অলঙ্কাৰ তুমি লৈ, তোমাৰ কাৰণে
তাৰে পুৰুষাকৃতিৰ মূৰ্ত্তি কৰি সেইবোৰে সৈতে বেশ্যাকৰ্ম কৰিলা। ১৮
আৰু তোমাৰ কাৰচিপি বন কৰা কাপোৰ লৈ তাৰে সেইবোৰ ঢাকিলা
আৰু সেইবোৰৰ আগত মোৰ তেল আৰু ধূপ থলা। ১৯ প্ৰভু যিহোৱাই
কৈছে, মই তোমাক দিয়া মোৰ আহাৰ, মই তোমাক খাবলৈ দিয়া মিহি
আটা, তেল আৰু মৌ-জোল তুমি সুঘ্ৰাণৰ অৰ্থে সেইবোৰৰ আগত
থলা আৰু সেইদৰেই হ'ল। ২০ “ইয়াৰ বাহিৰে তুমি মোলৈ জন্মোৱা
তোমাৰ ল'ৰা-ছোৱালীসকললৈ, গ্ৰাস কৰিবৰ বাবে সেইবোৰৰ আগত

বলিস্বৰূপে দিলা; তোমাৰ বেশ্যাকৰ্মবোৰ সামান্য বিষয় আছিল নে?
২১ যে তুমি মোৰ সন্তান সকলক বধ কৰিলা আৰু সেইবোৰৰ উদ্দেশ্যে
তেওঁলোকক জুইৰ মাজেদি গমন কৰাই উৎসৰ্গ কৰিলা? ২২ তোমাৰ
আটাই ঘিণলগীয়া কাৰ্যত আৰু বেশ্যাকৰ্মত তুমি আসক্ত থকাত,
বিবস্ত্ৰা আৰু উলঙ্গিনী হোৱা আৰু তোমাৰ তেজত ধৰফৰোৱা তোমাৰ
সেই যৌৱন কালৰ দিন তুমি সোঁৱৰণ নকৰিলা। ২৩ আৰু তোমাৰ
আটাই দুষ্টতাৰ পাছত প্ৰভু যিহোৱাই কৈছে, তোমাৰ সন্তাপ হ'ব,
তোমাৰ সন্তাপ হ'ব, ২৪ তুমি নিজৰ বাবে এক বেশ্যালয় সাজিলা
আৰু প্ৰত্যেক চকত নিজৰ বাবে এডোখৰ ওখ ঠাই কৰিলা। ২৫ তুমি
প্ৰত্যেক আলিৰ মূৰত তোমাৰ ওখ ঠাই সাজি তোমাৰ সৌন্দৰ্য্য ঘৃণাৰ
বিষয় কৰিলা, প্ৰত্যেক বাটৰুৱালৈ তোমাৰ ভৰি দুখন মেলি দিলা আৰু
তোমাৰ বেশ্যালি অধিককৈ বঢ়ালা। ২৬ তোমাৰ ওচৰ-চুবুৰীয়া স্থূলকায়
মিচৰীয়াসকলৰ লগতো তুমি বেশ্যাকৰ্ম কৰিলা; আৰু তুমি মোক
বেজাৰ দিবলৈ তোমাৰ বেশ্যালি অধিককৈ বঢ়ালা। ২৭ এই হেতুকে
চোৱা, মই তোমাৰ ওপৰলৈ মোৰ হাত মেলি তোমাৰ দৈনিক খোৰাক
কমালোঁ আৰু তোমাৰ বেশ্যা চাবৰ কাৰণে লাজ পোৱা, তোমাক
ঘিণ কৰা পলেষ্টীয়াসকলৰ জীয়াৰীসকলৰ ইচ্ছাত তোমাক সমৰ্পণ
কৰিলোঁ। ২৮ তুমি তৃপ্ত নোহোৱাত অচূৰীয়াসকলে সৈতেও বেশ্যাকৰ্ম
কৰিও তৃপ্ত নথ'লো। ২৯ তুমি বাণিজ্যদেশ কলদীয়াসকললৈ তোমাৰ
বেশ্যালি বঢ়ালা; তথাপি তুমি তাৰেও তৃপ্ত নথ'লো। ৩০ প্ৰভু যিহোৱাই
কৈছে, তোমাৰ অন্তৰ কেনে কামাতুৰ! কাৰণ তুমি স্বেচ্ছাচাৰিণী বেশ্যা
স্ত্ৰীৰ দৰে এই আটাইবোৰ কাৰ্য কৰিছা; ৩১ তুমি প্ৰত্যেক আলিৰ
মূৰত তোমাৰ বেশ্যালয় সাজিছা, প্ৰত্যেক চকত তোমাৰ ওখ ঠাই
নিৰ্ম্মাণ কৰিছা আৰু তুমি বেশ্যা কৰ্মৰ বেচ তুচ্ছ কৰাত বেশ্যাৰ নিচিনা
নোহোৱা। ৩২ তুমি ব্যভিচাৰিণী, তোমাৰ স্বামীৰ সলনি পৰক গ্ৰহণ
কৰোঁতা ঘৈণী। ৩৩ আটাই বেশ্যাক লোকে ধন দিয়ে; কিন্তু তোমাৰ
আটাই প্ৰেমকাৰীক তুমিহে ধন দিয়া আৰু তোমাৰ লগত বেশ্যাকৰ্ম
কৰিবলৈ, চাৰিওফালৰ পৰা তোমাৰ প্ৰেমকাৰীবোৰ আহিবৰ কাৰণে
তেওঁলোকক ভেটী দিয়া। ৩৪ বেশ্যাকৰ্ম কৰিবলৈ কোনেও তোমাৰ

পাছে পাছে নাযায়, তোমাৰ বেশ্যাকৰ্মৰ এই কথাত আন স্ত্ৰীতকৈ
তুমি বিপৰীত; তুমি বেচ দিয়া, কিন্তু তোমাক কোনেও বেচ নিদিয়ে,
সেইবাবে তুমি বিপৰীত। ৩৫ এই হেতুকে হে বেশ্যা, যিহোৱাৰ বাক্য
শুনা! ৩৬ প্ৰভু যিহোৱাই এই কথা কৈছে: “তুমি প্ৰচুৰ পৰিমাণে অশুচি
কাৰ্য কৰাৰ বাবে আৰু তোমাৰ প্ৰেমকাৰীসকলৰ লগত কৰা তোমাৰ
বেশ্যাকৰ্মৰ দ্বাৰাই তোমাৰ বিবস্ত্ৰতা প্ৰকাশ পোৱা বাবে আৰু তোমাৰ
ঘিণলগীয়া আটাই মূৰ্ত্তিবোৰৰ আৰু তুমি সেইবোৰৰ আগত দিয়া
তোমাৰ সন্তান সকলৰ ৰক্তপাতৰ কাৰণে, ৩৭ চোৱা! তুমি যিসকলৰ
সৈতে আমোদ-প্ৰমোদ কৰিলা, তোমাৰ সেই আটাই প্ৰেমকাৰীক
আৰু তুমি প্ৰেম কৰা ও ঘিণ কৰা আটাইকে মই গোটাম; মই তোমাৰ
বিৰুদ্ধে চাৰিওফালৰ পৰাই তেওঁলোকক গোটাম আৰু তেওঁলোকক
তোমাৰ সমস্ত বিবস্ত্ৰতা দেখিবলৈ তেওঁলোকৰ আগত তোমাৰ বিবস্ত্ৰতা
প্ৰকাশ কৰিম। ৩৮ আৰু সতীত্ব লঙ্ঘন কৰা ও ৰক্তপাত কৰা সকলক
দণ্ড দিয়াৰ দৰে মই তোমাক দণ্ড দিম; মই ক্ৰোধ আৰু অন্তৰ্জ্বালাত
তোমাৰ ৰক্তপাত কৰিম। ৩৯ মই তেওঁলোকৰ হাতত তোমাক সমৰ্পণ
কৰিম; তাতে তেওঁলোকে তোমাৰ বেশ্যালয় নষ্ট কৰিব, তোমাৰ ওখ
ঠাইবোৰ ভাঙি পেলাব, তোমাক বিবস্ত্ৰা কৰিব আৰু তোমাৰ সুন্দৰ
অলঙ্কাৰবোৰ লৈ যাব; তেওঁলোকে তোমাক বিবস্ত্ৰা আৰু উলঙ্গিনী
কৰি এৰিব। ৪০ তেতিয়া তেওঁলোকে তোমাৰ অহিতে এক সমাজ
পাতি তোমাক শিল দলিয়াই মাৰিব, তৰোৱালেৰে ডোখৰ ডোখৰকৈ
কাটিব আৰু তোমাৰ ঘৰবোৰ জুই দি পুৰিব। ৪১ এইদৰে অনেক স্ত্ৰীৰ
আগত তোমাক দণ্ড দিব; এইদৰে মই তোমাক বেশ্যাকৰ্ম কৰাৰ পৰা
এৰুৱাম, তুমি বেশ্যাৰ বেচ আৰু নিদিবা। ৪২ তেতিয়া মই এইদৰে
তোমাৰ ওপৰত মোৰ ক্ৰোধ মাৰ নিয়াম; তেতিয়া তোমাৰ পৰা মোৰ
অন্তৰ্জ্বালা দূৰ হ’ব আৰু মই শান্তিৰে থাকিম, পুনৰায় ক্ৰোধ নকৰিম।
৪৩ তুমি তোমাৰ যৌৱন কাল মনত নকৰিলা, কিন্তু এই আটাইবোৰ
কাৰ্যত মোক বেজাৰ দিলা, এই হেতুকে চোৱা! প্ৰভু যিহোৱাই কৈছে,
ময়ো তোমাৰ আচাৰ-ব্যৱহাৰৰ ফল তোমাৰ মূৰত ফলিওৱাম” -
আৰু তুমি তোমাৰ আটাই ঘিণলগীয়া কাৰ্যৰ উপৰিও, এই ব্যভিচাৰ

আৰু কৰিবলৈ নাপাবা। ৪৪ চোৱা! যোজনা দিয়া প্ৰতিজনে, ‘মাক
যেনে জীয়েক তেনে’, এই বুলি তোমাৰ বিৰুদ্ধে যোজনা দিব। ৪৫
নিজ স্বামী আৰু নিজ সন্তানক ঘিণ কৰা তোমাৰ মাতৃৰ জীয়েক তুমি;
নিজ স্বামী আৰু নিজ সন্তানক ঘিণ কৰা তোমাৰ ভায়েৰা-ভনীয়েৰাৰ
তুমি ভনীয়েক; তোমালোকৰ মাতৃ হিত্তীয়া আৰু তোমালোকৰ পিতৃ
ইমোৰীয়া আছিল। ৪৬ তোমাৰ বায়েৰা নিজ জীয়েকসকলেৰে সৈতে
তোমাৰ বাওঁহাতে বাস কৰা চমৰিয়া আৰু তোমাৰ সোঁহাতে বাস কৰা
তোমাৰ ভনীয়েৰা জীয়েকসকলৰ সৈতে থকা চদোম। ৪৭ তথাপি তুমি
তেওঁলোকৰ আচাৰ-ব্যৱহাৰত যে চলিলা, বা তেওঁলোকৰ ঘিণলগীয়া
কাৰ্য অনুসাৰে যে কাৰ্য কৰিলা, সেয়ে নহয়; কিন্তু তাক অতি ক্ষুদ্ৰ
বুলি ভাবি তোমাৰ আটাই আচাৰ-ব্যৱহাৰত তুমি তেওঁলোকতকৈ
অধিক ভ্ৰষ্টা থ’লো। ৪৮ প্ৰভু যিহোৱাই কৈছে, “মোৰ জীৱনৰ শপত,
তুমি আৰু তোমাৰ জীসকলে কৰা দৰে তোমাৰ ভনী চদোমে আৰু
তাইৰ জীসকলে কৰা নাই। ৪৯ চোৱা! তোমাৰ ভনী চদোমৰ এই
অপৰাধ আছিল: যে, তাইৰ আৰু তাইৰ জীসকলৰ অহংকাৰ, আহাৰৰ
সম্পূৰ্ণতা আৰু নিশ্চিন্ততাযুক্ত সুখ আছিল; তাই দুখী দৰিদ্ৰৰ হাত
সবল নকৰিছিল। ৫০ তেওঁলোক গৰ্ব্বী আছিল আৰু মোৰ আগত
ঘিণলগীয়া কাৰ্য কৰিছিল; এই হেতুকে মই যি ভাল দেখিলোঁ, তাকে
কৰি তেওঁলোকক দূৰ কৰিলোঁ। ৫১ চমৰিয়াই তোমাৰ পাপৰ আধাও
কৰা নাই; কিন্তু তুমি তেওঁলোকতকৈ তোমাৰ ঘিণলগীয়া কাৰ্য অধিক
বৃদ্ধি কৰিলা আৰু তুমি কৰা তোমাৰ আটাই ঘিণলগীয়া কাৰ্যৰ দ্বাৰাই
তোমাৰ বায়েৰা-ভনীয়েৰাক ধাৰ্মিক পাতিলা। ৫২ বিশেষকৈ তুমি নিজৰ
বায়েৰা-ভনীয়েৰাৰ বাবে বিচাৰ নিষ্পত্তি কৰাত তুমিও নিজ অপমান
ভোগ কৰা; তুমি তেওঁলোকতকৈ যি অধিক ঘিণলগীয়া পাপ কৰিলা,
তোমাৰ সেই পাপবোৰৰ দ্বাৰাই তেওঁলোক তোমাতকৈ অধিক ধাৰ্মিক
হ’ল; এতেকে তুমি নিজৰ বায়েৰা-ভনীয়েৰাক ধাৰ্মিক পতাত নিজেও
বিবৰ্ণ হোৱা আৰু নিজ অপমান ভোগ কৰা। ৫৩ আৰু তেওঁলোকলৈ
শান্ত্বনাৰ স্থল হৈ তুমি কৰা আটাই কাৰ্যৰ কাৰণে তুমি তোমাৰ অপমান
ভোগ কৰি অপমানিত হ’বৰ কাৰণে, ৫৪ মই তেওঁলোকৰ বন্দী

অৱস্থা অর্থাৎ চদোম আৰু তাইৰ জীসকলৰ আৰু তেওঁলোকৰ মাজত
থকা তোমাৰ বন্দীবোৰৰ বন্দী-অৱস্থা পৰিবৰ্ত্তন কৰিম। ৫৫ আৰু
জীসকলে সৈতে চদোম আৰু জীসকলে সৈতে চমৰিয়া, তোমাৰ এই
দুজনী বায়েৰা-ভনীয়েৰা আগৰ নিজ নিজ অৱস্থালৈ উলটিব; তুমি আৰু
তোমাৰ জীসকলে, তোমালোকৰ আগৰ অৱস্থালৈ উলটিব। ৫৬ তোমাৰ
গৰ্ব্বৰ দিনা তোমাৰ মুখত তোমাৰ ভনীয়েৰা চদোমৰ নাম নোলাল।
৫৭ অৰামৰ জীয়াৰীসকলে তোমাক অপমান কৰাত আৰু তোমাৰ
চাৰিওফালৰ আটাইবোৰে অৰ্থাৎ তোমাৰ চাৰিওফালে তোমাক তুচ্ছ
জ্ঞান কৰোঁতা পলেষ্টীয়াসকলৰ জীয়াৰীসকলে তোমাক অপমান কৰাত
যেনেকৈ তোমাৰ দুষ্টতা বৰ্ত্তমানে প্ৰকাশ পাইছে, তেনেকৈ সেই দিনা
তোমাৰ দুষ্টতা প্ৰকাশ পোৱা নাছিল। ৫৮ যিহোৱাই কৈছে, “তুমি নিজ
ব্যভিচাৰৰ আৰু ঘিণলগীয়া কাৰ্যৰ ফল ভোগ কৰিছা।” ৫৯ কিয়নো
প্ৰভু যিহোৱাই এই কথা কৈছে: “নিয়মটি ভাঙি শপতটো তুচ্ছ কৰা যি
তুমি, তুমি কৰা দৰেই মই তোমালৈ কাৰ্য কৰিছোঁ। ৬০ তথাপি মই
তোমাৰ যৌৱনকালত তোমাৰে সৈতে পতা মোৰ নিয়মটি সোঁৱৰণ
কৰিম আৰু তোমাৰ অৰ্থে এটি চিৰস্থায়ী নিয়ম স্থাপন কৰিম। ৬১ আৰু
যেতিয়া তুমি নিজৰ বায়েৰা-ভনীয়েৰাক গ্ৰহণ কৰিবা, তেতিয়া তুমি
নিজ আচাৰ-ব্যৱহাৰ মনত কৰি লাজ পাবা; আৰু মই তেওঁলোকক
জীস্বৰূপে তোমাক দিম, কিন্তু তোমাৰ লগত কৰা নিয়মটিৰ দ্বাৰাই
নহয়। ৬২ আৰু প্ৰভু যিহোৱাই কৈছে! তুমি কৰা সকলো কাৰ্যৰ বাবে
মই তোমাক ক্ষমা কৰা সময়ত, তুমি মনত কৰি বিবৰ্ণ হ’বলৈ আৰু
তুমি লাজ পাই তোমাৰ মুখ পুনৰায় কেতিয়াও নেমেলিবলৈ, মই
তোমাৰে সৈতে মোৰ নিয়মটি স্থাপন কৰিম’।” ৬৩ তাতে, মই যে
যিহোৱা, তাক তুমি জানিবা।”

**১৭** যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল আৰু ক’লে, ২ “হে মনুষ্য
সন্তান, তুমি ইস্ৰায়েল বংশৰ আগত এটা সাঁথৰ বাক্য প্ৰকাশ কৰা আৰু
এটা দৃষ্টান্ত কোৱা। ৩ তুমি কোৱা, ‘প্ৰভু যিহোৱাই এই কথা কৈছে:
“ডাঙৰ ডেউকা থকা আৰু ডেউকাত দীঘল পাখি থকা এটা ডাঙৰ ঈগল
পক্ষীয়ে, আৰু যি নানা বৰণৰ পাখিৰে ভৰা, সি লিবানোনলৈ আহি এৰচ

গছজোপাৰ ওপৰত আহি বহিল। ৪ সি সেই গছৰ আটাইতকৈ ওপৰত
থকা আগডালদোখৰ ছিঙি বাণিজ্য দেশলৈ লৈ গ'ল। সি বেপাৰীসকলৰ
নগৰত তাক ৰুই হ'ল। ৫ সি সেই দেশৰ মাজৰ গুটিবোৰৰ পৰা এটি
গুটি লৈ উৰ্ব্বৰা মাটিত ৰুলে। সি বিজল সমূহৰ কাষত তাক থলে; সি
বাইশী গছৰ দৰে তাক ৰুলে। ৬ তেতিয়া সেয়ে গজি বাঢ়ি, মাটিৰ
তললৈ ব্যাপি যোৱা এক দ্ৰাক্ষালতা হ'ল। তাৰ ডালবোৰে সেই ঈগল
পক্ষীৰ ফালে মুখ কৰিছিল আৰু শিপাবোৰ তাৰ তলত গজিছিল।
সেয়ে এইদৰে দ্ৰাক্ষালতা হৈ ডালবোৰ উৎপন্ন হ'ল আৰু পোখাবোৰ
মেলিলে। ৭ কিন্তু বহুত পাখি আৰু ডাঙৰ ডেউকা থকা আন এটা
ঈগল পক্ষী আছিল। আৰু চোৱা! এই দ্ৰাক্ষালতাৰ শিপাবোৰে নিজকে
সেই ঈগল পক্ষীটোৰ ফালে শিপা মেলিলে, আৰু যি ভেটিটোত ৰোৱা
হৈছিল, সেই ঠাইৰ পৰা সি পানী দিবৰ বাবে তাৰ ফালে ডালবোৰ
বিয়পি গ'ল। ৮ সেয়ে বহু জল সমূহৰ কাষত আৰু উৰ্ব্বৰা মাটিত তাক
ৰোৱা হৈছিল। যাতে সেয়ে ডাল মেলিব আৰু ফল উৎপন্ন কৰি এখন
উত্তম দ্ৰাক্ষালতা হ'ব'!" ৯ তুমি লোকসকলক কোৱা: 'প্ৰভু যিহোৱাই
এই কথা কৈছে: সেয়ে উন্নতি লাভ কৰিব নে? তেওঁ জানো তাৰ
শিপাবোৰ উঘালি নল'ব নে বা তাৰ ফলবোৰ ছিঙি নল'ব নে যাতে
তাৰ নতুনকৈ ওলোৱা আটাই পাতবোৰ শুকাই লেৰেলা হৈ পৰে? তাৰ
শিপা উঘালিবলৈ অধিক বল কি আনকি অনেক মানুহ নালাগিব। ১০
সেই কাৰণে চোৱা! সেয়ে আকৌ ৰোৱাৰ পাছত তাৰ উন্নতি হ'ব নে?
পূবৰ বতাহ তাত লগা মাত্ৰে সেয়ে একেবাৰে শুকাই নাজাব নে? সেয়ে
তাৰ গজা ভেটিতে সম্পূৰ্ণৰূপে শুকাই যাব'।" ১১ তাৰ পাছত যিহোৱাৰ
বাক্য মোৰ ওচৰলৈ আহিল আৰু ক'লে, ১২ "তুমি সেই বিদ্ৰোহী বংশক
কোৱা: 'এইবোৰৰ অৰ্থ কি, সেই বিষয়ে তোমালোকে নাজানা নে?
চোৱা! বাবিলৰ ৰজাই যিৰূচালেমলৈ আহি তাৰ ৰজাৰ সৈতে তাৰ
বিষয়াসকলক ধৰি বাবিললৈ নিজৰ ঠাইলৈ লৈ আনিলে। ১৩ তাৰ
পাছত তেওঁ ৰাজবংশীয় এজনক ল'লে আৰু তেওঁৰ লগত এটি নিয়ম
স্থাপন কৰিলে। ১৪ ৰাজ্যখন যেন সামান্য হয় আৰু নিজকে যেন বৰ
বুলি নামানে আৰু তেওঁৰ নিয়মটি পালন কৰিলে হে দেশখন স্থিৰেৰে

থাকিব পাৰিব, সেই কাৰণে তেওঁ দেশৰ বীৰ সকলক আঁটৰাই লৈ
গ'ল। ১৫ কিন্তু যিৰূচালেমৰ ৰজাই মিচৰীয়াসকলৰ পৰা ঘোঁৰা আৰু
অনেক মানুহ পাবৰ কাৰণে মিচৰলৈ নিজ দূতবোৰক পঠিয়াই দিলে
আৰু তেওঁৰ অহিতে বিদ্ৰোহ কৰিলে। তেওঁ উন্নতি লাভ কৰিব নে?
এনে কৰ্ম কৰা জনে জানো ৰক্ষা পাব? তেওঁ যদি এই নিয়মটি ভাঙে,
তেওঁ ৰক্ষা পাব নে? ১৬ 'মোৰ জীৱনৰ শপত, প্ৰভু যিহোৱাই কৈছে -
যি ৰজাই তেওঁ নিজ থকা ঠাইত তেওঁক ৰজা পাতিলে, যাৰ শপত
তেওঁ তুচ্ছ কৰিলে আৰু যাৰ নিয়মটি তেওঁ ভাঙিলে, বাবিলৰ মাজত
তেওঁৰ তাতেই মৃত্যু হ'ব। ১৭ অনেক লোকক বধ কৰিবলৈ হাদাম
বান্ধা আৰু কোঁঠ সজা সময়ত, ফৰৌণেও তেওঁৰ পৰাক্ৰমী সৈন্য-
সামন্ত আৰু মহাদলৰ সৈতে ৰণত তেওঁক ৰক্ষা কৰিবলৈ নোৱাৰিব।
১৮ কিয়নো ৰজাই নিয়মটি ভাঙি শপতটো তুচ্ছ কৰিলে; চোৱা, তেওঁ
হাতযোৰ কৰি শপত লোৱাৰ পাছতো, এই আটাই কাৰ্য কৰিলে;
তেওঁ ৰক্ষা নাপাব। ১৯ এই কাৰণে 'প্ৰভু যিহোৱাই এই কথা কৈছে -
'মোৰ জীৱনৰ শপত, মোৰ শপত আৰু তেওঁ ভঙা মোৰ নিয়মটিৰ
তুচ্ছ কৰা নাছিল নে? এই কাৰণে তেওঁ পাবলগীয়া শাস্তি মই তেওঁৰ
ওপৰত ফলিওৱাম। ২০ মই তেওঁৰ ওপৰত মোৰ জাল মেলিম আৰু
তেওঁ মোৰ ফান্দত ধৰা পৰিব। তেতিয়া মই তেওঁক বাবিললৈ নি
তেওঁ মোৰ অহিতে কৰা তেওঁৰ অপৰাধৰ কাৰণে সেই ঠাইত তেওঁৰ
ওপৰত গোচৰ কৰিম। ২১ তেতিয়া তেওঁৰ সকলো দলৰ আটাই
আশ্ৰয়প্ৰাৰ্থী সকল তৰোৱালত মৰা পৰিব আৰু অৱশিষ্ট থকা সকলোকে
চাৰিওফালে বায়ুত উড়ুৱাই নিয়া হ'ব; তেতিয়া মই যিহোৱায়েই যে এই
কথা ক'লোঁ, সেই বিষয়ে তোমালোকে জানিবা।" ২২ প্ৰভু যিহোৱাই
এই কথা কৈছে: "ময়েই এৰচ গছজোপাৰ ওখত থকা আগডোখৰৰ
এটা ডাল লৈ তাক ৰোম; এনে কি, সকলোতকৈ ওপৰত থকা তাৰ
পোখাবোৰৰ মাজৰ পৰাই মই এটি পোখা ছিঙি এখন ওখ আৰু উন্নত
পৰ্ব্বতত ৰোম! ২৩ ইস্ৰায়েলৰ ওখ পৰ্ব্বতখনতেই মই তাক ৰুম;
তেতিয়া সি ডাল মেলিব আৰু ফল ধৰি এজোপা উত্তম এৰচ গছ
হ'ব; যাতে সকলো বিধৰ চৰাইয়ে তাৰ তলত বাস কৰিব আৰু তাৰ

ডালবোৰৰ ছাঁত সিহঁতে বাস কৰিব। ২৪ তেতিয়া মই যে যিহোৱা সেই
বিষয়ে পথাৰত থকা সকলো গছবোৰে জানিব। মই ওখ গছজোপা
চাপৰ, চাপৰ গছজোপা ওখ কৰোঁ; মই কেঁচাপতীয়া গছজোপা শুকান
আৰু শুকান গছজোপা জকমকীয়া কৰোঁ! মই যিহোৱা; এই কথা
ঘোষণা কৰিলোঁ আৰু ইয়াক সিদ্ধও কৰিলোঁ!"

১৮ যিহোৱাৰ বাক্য আকৌ মোৰ ওচৰলৈ আহিল আৰু ক'লে, ২
"ইস্রায়েল দেশৰ যোজনা যে তোমালোকে দিয়া, তাৰ অৰ্থ কি? আৰু
এইবুলি কোৱা, 'বাপেকহঁতে টেঙা দ্ৰাক্ষাগুটি খাই কিন্তু তেওঁলোকৰ
পুত্ৰসকলৰ দাঁত টেঙায়?' ৩ মোৰ জীৱনৰ শপত"- প্ৰভু যিহোৱাই
এই কথা কৈছে, "ইস্রায়েলত এই যোজনা দিবলৈ তোমালোকে আৰু
কেতিয়াও সুযোগ নাপাবা। ৪ চোৱা! আটাই প্ৰাণ মোৰেই; যেনেকৈ
বাপেকৰ প্ৰাণ মোৰ, তেনেকৈ পুতেকৰ প্ৰাণো মোৰ; যি প্ৰাণীয়ে পাপ
কৰে সেই প্ৰাণীহে মৰিব! ৫ কোনো মানুহ যদি ধাৰ্মিক হয় আৰু যি
উচিত আৰু ন্যায় তাকহে সম্পন্ন কৰে, ৬ আৰু যদি পৰ্ব্বতবোৰৰ
পবিত্ৰ স্থান বোৰত ভোজন নকৰে বা ইস্রায়েল বংশৰ প্ৰতিমাবোৰলৈ
চকু নোতোলে- বা নিজ ওচৰ চুবুৰীয়াৰ স্ত্ৰীক অশুচি কৰা নাই বা
কোনো স্ত্ৰীৰ অশুচি হোৱা সময়ত তাইৰ ওচৰলৈ যোৱা নাই - ৭ আৰু
কাকো অন্যায় কৰা নাই কিন্তু তাৰ সলনি তেওঁৰ ধৰুৱাক তেওঁৰ
বন্ধক ঘূৰোৱাই দিছে - কাৰো বস্তু বলেৰে কাঢ়ি লোৱা নাই, কিন্তু
তাৰ সলনি ক্ষুধাতুৰক নিজৰ আহাৰ দিয়ে আৰু নাঙঠাক কাপোৰেৰে
ঢাকে; ৮ তেওঁ যদি সুতলৈ ধাৰ নিদিয়ে বা তাক বঢ়াই নিদিয়ে - বা
অন্যায়ৰ পৰা নিজ হাত কোঁচায়, মানুহৰ মাজত সত্য বিচাৰ কৰি, মোৰ
বিধি বোৰত চ'লে, ৯ আৰু যথাৰ্থ কাৰ্য কৰি মোৰ শাসন-প্ৰণালীবোৰ
পালন কৰে, তেন্তে তেওঁহে ধাৰ্মিক; তেওঁহে অৱশ্যে জীব!" এয়ে প্ৰভু
যিহোৱাৰ ঘোষণা। ১০ কিন্তু যদি তেওঁৰ এজন উগ্ৰ পুতেক আছে
আৰু সি যদি ৰক্তপাত কৰা আদি তেনে কোনো কাৰ্যবোৰ কৰে - ১১
আৰু যদিও তেওঁৰ পিতৃয়ে সেইবোৰৰ কোনো কৰ্ত্তব্যৰ কৰ্ম নকৰে -
কিন্তু যদি তেওঁৰ পুতেকে পৰ্ব্বতবোৰৰ পবিত্ৰ স্থানবোৰত ভোজন
কৰে আৰু নিজ ওচৰ-চুবুৰীয়াৰ স্ত্ৰীক অশুচি কৰে - ১২ সি যদি দুখী-

দৰিদ্ৰক অন্যায় কৰে, বা যদি বলেৰে কাঢ়ি লয় বা বন্ধক ঘূৰোৱাই
নিদিয়ে, প্ৰতিমাবোৰলৈ চকু তোলে বা ঘিণলগীয়া কাৰ্য কৰে; ১৩ সি
যদি সুতলৈ ধাৰ দিয়ে বা অনুচিত লাভ লয়, তেনেহ'লে সি জীয়াই
থাকিব নে? সি জীয়াই নাথাকিব! সি এই আটাইবোৰ ঘিণলগীয়া
কাৰ্য কৰিলে; তাৰ অৱশ্যে মৃত্যু হ'ব আৰু তাৰ ৰক্তপাতৰ দোষ তাৰ
ওপৰত থাকিব। ১৪ কিন্তু চোৱা! যদি তাৰ এজন পুত্ৰ জন্মে, তেওঁৰ
পিতৃয়ে কৰা সকলো পাপ দেখিছে আৰু সি ঈশ্বৰলৈ ভয় ৰাখি তেনে
কাৰ্যবোৰ নকৰে - ১৫ সি পৰ্ব্বতবোৰৰ পবিত্ৰ স্থানবোৰৰ ওপৰত
ভোজন নকৰে বা ইস্ৰায়েল বংশৰ প্ৰতিমা বোৰলৈ চকু নোতোলে
আৰু যদি সি চুবুৰীয়াৰ স্ত্ৰীক অশুচি নকৰে; ১৬ বা কাকো অন্যায়
নকৰে, বন্ধকৰ কাৰণে একো নলয়, বা বলেৰে বস্তু কাঢ়ি নলয়, কিন্তু
ক্ষুধাতুৰক নিজৰ আহাৰ দিয়ে আৰু নাঙঠাক কাপোৰেৰে ঢাকে -
১৭ সি যদি দুখীয়াক উপদ্ৰৱ কৰাৰ পৰা নিজৰ হাত কোঁচায়, সুত
বা অনুচিত লাভ নলয়; মোৰ শাসন-প্ৰণালীবোৰ পালন কৰে আৰু
মোৰ বিধিবোৰত চ'লে, তেন্তে সেই পুত্ৰই নিজৰ পিতৃৰ পাপবোৰৰ
কাৰণে নমৰিব। তেওঁ অৱশ্যে জীয়াই থাকিব! ১৮ তেওঁৰ পিতৃৰ
বিষয়ে হ'লে, তেওঁ অত্যন্ত অত্যাচাৰ কৰাত, বলেৰে নিজ ভাইৰ বস্তু
কাঢ়ি লোৱাত আৰু নিজ লোকসকলৰ মাজত, যি ভাল নহয়, সেইবোৰ
কৰাৰ বাবে - চোৱা, তেওঁ নিজ অপৰাধৰ বাবে মৰিব। ১৯ তথাপি
তোমালোকে কোৱা, "পুত্ৰই কিয় পিতৃৰ অপৰাধৰ ভাৰ নবয়?" কিয়নো
সেই পুত্ৰই উচিত আৰু ন্যায় কাৰ্য কৰে আৰু মোৰ সকলো বিধি পালন
কৰে। সি সেই সকলোবোৰৰ মতে কৰ্ম কৰে। তেতিয়া তেওঁ নিশ্চয়ে
জীয়াই থাকিব! ২০ যিজনে পাপ কৰে, তেওঁ মৰিব। পুত্ৰই পিতৃৰ
অপৰাধৰৰ ভাৰ নবব আৰু ধাৰ্মিকৰ ধাৰ্মিকতা ধাৰ্মিকৰ গাত আৰু
দুষ্টৰ দুষ্টতা দুষ্টৰ গাত থাকিব। ২১ কিন্তু যদি দুষ্টজনে নিজে কৰা
আটাই পাপৰ পৰা ঘূৰি মোৰ সকলো বিধি পালন কৰে আৰু উচিত
আৰু ন্যায় সকলো কাৰ্যবোৰ কৰে, তেন্তে তেওঁ নমৰি অৱশ্যে জীয়াই
থাকিব, । ২২ তেওঁ কৰা অপৰাধবোৰৰ কোনো অপৰাধকে তেওঁৰ
অহিতে সোঁৱৰণ কৰা নহ'ব। তেওঁ নিজ ধাৰ্মিকতাৰ বাবেহে জীয়াই

থাকিব। ২৩ প্ৰভু যিহোৱাই ঘোষণা কৰিছে - “দুষ্টজনৰ মৃত্যুত জানো
মই অতিকৈ সন্তোষ পাওঁ” - যিহেতু তেওঁলোকে নিজ কু-পথৰ পৰা
ঘূৰি আহি জীয়াই থাকিব পাৰিলেহেঁতেন? ২৪ কিন্তু যদি ধাৰ্মিকজনে
তেওঁৰ ধাৰ্মিকতাৰ পৰা ঘূৰি অপৰাধ কৰে আৰু দুষ্ট লোকসকলে কৰা
আটাই ঘিণলগীয়া কাৰ্যৰ দৰে কাৰ্য কৰে, তেন্তে তেওঁ জীয়াই থাকিব
নে? তেওঁ কৰা ধৰ্ম-কৰ্মবোৰৰ একোকেই সোঁৱৰণ কৰা নাযাব।
সেই কাৰণে তেওঁ কৰা অপৰাধতেই আৰু তেওঁ কৰা পাপতেই তেওঁ
মৰিব। ২৫ তথাপি তোমালোকে কোৱা, ‘প্ৰভুৰ পথ সৎ নহয়!’ শুনা, হে
ইস্ৰায়েল বংশ! মোৰ পথবোৰ সৎ নহয়নে? তোমালোকৰ পথবোৰহে
জানো সৎ নহয়? ২৬ ধাৰ্মিক লোকজনে যদি নিজ ধাৰ্মিকতাৰ পৰা
ঘূৰি অপৰাধ কৰে আৰু সেই বাবে তেওঁৰ মৃত্যু হয়, তেতিয়া তেওঁ কৰা
অপৰাধতেই তেওঁৰ মৃত্যু হ’ব। ২৭ কিন্তু যেতিয়া দুষ্ট লোকজনে যদি
তেওঁ কৰা দুষ্কৰ্মৰ পৰা ঘূৰি উচিত আৰু ন্যায় কাৰ্য কৰে, তেন্তে তেওঁ
নিজ প্ৰাণ জীয়াই ৰাখিব! ২৮ তেওঁ বিবেচনা কৰি তেওঁ কৰা আটাই
দুষ্কৰ্মৰ পৰা ঘূৰি অহাত, তেওঁ জীয়াই থাকিব; তেওঁৰ মৃত্যু নহ’ব!
২৯ তথাপি ইস্ৰায়েল বংশই কয়, ‘প্ৰভুৰ পথ সৎ নহয়!’ হে ইস্ৰায়েল
বংশ, মোৰ পথ কিয় সৎ নহয়? তোমালোকৰ পথহে জানো অসৎ
নহয়? ৩০ এই হেতুকে, প্ৰভু যিহোৱাই কৈছে, “হে ইস্ৰায়েল বংশ,
প্ৰতিজনৰ আচাৰ-ব্যৱহাৰ অনুসাৰে, মই তোমালোকৰ বিচাৰ কৰিম!”
“তোমালোক উলটি আহা আৰু তোমালোকৰ সকলো অধৰ্মৰ পৰা
ঘূৰা যেন অপৰাধ তোমালোকৰ বিৰুদ্ধে সৰ্ব্বনাশৰ কাৰণ নহ’ব। ৩১
যি যি অপৰাধেৰে তোমালোকে অপৰাধ কৰিলা, তোমালোকৰ সেই
সকলো অপৰাধবোৰ তোমালোকৰ পৰা দূৰ কৰা আৰু তোমালোকৰ
নিজৰ কাৰণে এক নতুন হৃদয় আৰু এক নতুন আত্মা কৰা; কিয়নো হে
ইস্ৰায়েল বংশ, তোমালোক কিয় মৰিবা? ৩২ কিয়নো যি জন লোকৰ
মৃত্যু হয়, তেওঁৰ মৃত্যুত মই সন্তোষ নকৰোঁ” - এই কথা প্ৰভু যিহোৱাই
ঘোষণা কৰিছে। “এই হেতুকে তোমালোক মনপালটন কৰি জীয়াই
থাকা!”

১৯ “আৰু যি তুমি! ইস্ৰায়েলৰ অধিপতিসকলৰ বিষয়ে বিলাপ আৰম্ভ
কৰা ২ আৰু তেওঁলোকক কোৱা, ‘তোমাৰ মাতৃ কোন আছিল?
এজনী সিংহী, তাই সিংহৰ পুতেকৰ লগত আছিল? তাই ডেকা
সিংহবোৰৰ মাজত পোৱালিবোৰ প্ৰতিপালন কৰিছিল। ৩ তাই নিজৰ
পোৱালিবোৰৰ মাজত ডেকা সিংহ হৈ উঠিবলৈ এটা পোৱালি তুলি
ল’লে আৰু সি চিকাৰ ধৰিবলৈ শিকিলে আৰু মানুহকো খাবলৈ ধৰিলে।
৪ তেতিয়া জাতি সমূহে তাৰ বিষয়ে শুনিলে। সি তেওঁলোকৰ গাতত
ধৰা পৰিল আৰু তেওঁলোকে তাক হাঁকোটা লগাই মিচৰ দেশলৈ
আনিলে। ৫ যেতিয়া তাই দেখিলে যে, তাই তাৰ কাৰণে বাট চাই
থাকোঁতে তাইৰ আশা বিফল হ’ল, তেতিয়া তাই নিজৰ আন এটা
পোৱালি লৈ তাক ডেকা সিংহ কৰি তুলিলে। ৬ এই ডেকা সিংহই
সিংহবোৰৰ মাজত অহা-যোৱা কৰোঁতে, সি ডেকা সিংহ হৈ উঠিল
আৰু সি চিকাৰ ধৰিবলৈ শিকিলে; সি মানুহ খাবলৈ ধৰিলে। ৭ তেতিয়া
সি তেওঁলোকৰ বিধৱা নাৰীসকলক ধৰ্ষণ কৰিলে আৰু তেওঁলোকৰ
নগৰবোৰ ধ্বংস কৰিলে। তাৰ গৰ্জ্জনৰ শব্দত দেশ আৰু তাৰ সকলো
উচ্ছন্ন হ’ল! ৮ কিন্তু জাতি সমূহৰ চাৰিওফালে থকা প্ৰদেশবোৰৰ
পৰা তাৰ বিৰুদ্ধে আক্ৰমণ কৰিবলৈ আহিল; তেওঁলোকে তাৰ ওপৰত
তেওঁলোকৰ জাল মেলিলে। সি তেওঁলোকৰ ফান্দত ধৰা পৰিল।
৯ তেওঁলোকে তাক হাঁকোটা লগাই পিঞ্জৰাত সোমোৱাই বাবিলৰ
ৰজাৰ ওচৰলৈ আনিলে। ইস্ৰায়েলৰ পৰ্ব্বতৰ ওপৰত তাৰ মাত আৰু
নুশুনিবলৈ তেওঁলোকে তাক সেই পৰ্ব্বতত ৰাখিলে। ১০ তোমাৰ
নিৰাপদৰ সময়ত তোমাৰ মাতৃ জল সমূহৰ গুৰিত ৰোৱা এডালি
দ্ৰাক্ষালতাস্বৰূপ আছিল; সেয়ে বহু জল সমূহৰ কাৰণে ফলেৰে আৰু
ডালেৰে পূৰ হৈছিল। ১১ তাইৰ শক্তিশালী ডালবোৰ শাসনকৰ্ত্তাসকলৰ
ৰাজদণ্ডৰ যোগ্য আছিল, আৰু তাই উচ্চ স্থান ঢুকি পোৱা হ’ল আৰু
অধিক ডাল আৰু উচ্চতাৰ কাৰণে তাইক ভালকৈ দেখা গ’ল। ১২ কিন্তু
দ্ৰাক্ষালতাক উঘালি মাটিত পেলোৱা হ’ল আৰু পূবৰ বতাহে তাইৰ ফল
শুকুৱালে। তাইৰ শকত ডালবোৰ ভস্ম হৈ শুকাল, জুয়ে সেইবোৰ ধংস
কৰিলে। ১৩ এতিয়া তাইক মৰুভূমিত, খৰাং আৰু শুকান দেশত ৰোৱা

হ'ল। ১৪ আৰু তাইৰ দণ্ডস্বৰূপ ডালবোৰৰ পৰা জুই ওলাই তাইৰ ফল
গ্ৰাস কৰিলে। শাসন কৰিবলৈ দণ্ডৰ উপযুক্ত শকত ডাল তাইৰ মাজত
আৰু নাথাকিল।' এয়ে বিলাপ আৰু বিলাপেৰে গান কৰা হ'ব।"
২০ আমাৰ নিৰ্বাসনৰ সপ্তম বছৰৰ পঞ্চম মাহৰ দশম দিনা ইস্ৰায়েলৰ
পৰিচাৰকসকলৰ মাজৰ কেইজনমান পুৰুষে যিহোৱাক সুধিবলৈ আহি
মোৰ আগত বহিল। ২ তেতিয়া যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল
আৰু ক'লে, ৩ "হে মনুষ্য সন্তান, তুমি ইস্ৰায়েলৰ পৰিচাৰক কেইজনে
সৈতে কথা হৈ তেওঁলোকক কোৱা, প্ৰভু যিহোৱাই এই কথা কৈছে:
তোমালোকে মোক সুধিবলৈ আহিছা নে? মোৰ জীৱনৰ শপত, মই
তোমালোকক মোক সুধিবলৈ নিদিওঁ'!" এইদৰে প্ৰভু যিহোৱাই কৈছে।
৪ "হে মনুষ্য সন্তান, তুমি তেওঁলোকৰ ওপৰত গোচৰ নচলোৱা নে?
তুমি গোচৰ নচলোৱা নে? তেওঁলোকৰ পূৰ্বপুৰুষসকলৰ ঘিণলগীয়া
কাৰ্যবোৰ তেওঁলোকক জানিবলৈ দিয়া আৰু তেওঁলোকক কোৱা! ৫
তেওঁলোকক কোৱা, 'প্ৰভু যিহোৱাই এই কথা কৈছে: "মই যিদিনা
ইস্ৰায়েলক মনোনীত কৰিছিলোঁ আৰু যাকোবৰ বংশৰ সন্তান সকলৰ
পক্ষে হাত দাঙি শপত গ্ৰহণ কৰিছিলোঁ আৰু তেওঁলোকৰ পক্ষে
মোৰ হাত দাঙি মিচৰ দেশত তেওঁলোকক চিনাকি দিছিলোঁ। মই
কৈছিলোঁ 'ময়েই তোমালোকৰ ঈশ্বৰ যিহোৱা' - ৬ সেই দিনা আটাই
দেশৰ ভূষণ স্বৰূপ, গাখীৰ আৰু মৌ-জোল বোৱা, তেওঁলোকৰ বাবে
মই অনুসন্ধান কৰা এখন দেশলৈ মিচৰ দেশৰ পৰা তেওঁলোকক
উলিয়াই আনিম বুলি তেওঁলোকৰ পক্ষে মোৰ হাত দাঙি শপত খাই
তেওঁলোকক কৈছিলোঁ! ৭ মই তেওঁলোকক কৈছিলোঁ, 'তোমালোকে
তোমালোকৰ চকুত লগা সকলো ঘিণলগীয়া বস্তু দূৰ কৰা আৰু মিচৰৰ
প্ৰতিমাবোৰেৰে তোমালোকক অশুচি নকৰিবা; ময়েই তোমালোকৰ
ঈশ্বৰ যিহোৱা'।" ৮ কিন্তু তেওঁলোকে মোৰ বিৰুদ্ধে বিদ্ৰোহ কৰিলে
আৰু মোৰ কথা শুনিবলৈ অমান্তি হ'ল। তেওঁলোকে তেওঁলোকৰ চকুত
লগা ঘিণলগীয়া বস্তুবোৰ দূৰ নকৰিলে, বা মিচৰৰ প্ৰতিমাবোৰো ত্যাগ
নকৰিলে। তেতিয়া মই মিচৰ দেশৰ মাজত তেওঁলোকৰ অহিতে মোৰ
ক্ৰোধ সিদ্ধ কৰিবলৈ, তেওঁলোকৰ ওপৰত মোৰ কোপ বৰষাবলৈ মন

কৰিছিলোঁ। ৯ কিন্তু মিচৰ দেশৰ পৰা তেওঁলোকক উলিয়াই অনাৰ
দ্বাৰাই তেওঁলোক থকা যি জাতিবোৰৰ সাক্ষাতে মই তেওঁলোকক মোৰ
পৰিচয় দিছিলোঁ, সেই জাতিবোৰৰ সাক্ষাতে মোৰ নাম অপবিত্ৰ কৰা
নহ'বলৈ মোৰ নামৰ কাৰণে, এইদৰে মোৰ কাৰ্য কৰিলোঁ। ১০ মই
তেওঁলোকক মিচৰ দেশৰ পৰা উলিয়াই অৰণ্যৰ মাজলৈ আনিলোঁ। ১১
তেতিয়া যি বিধি ও শাসন-প্ৰণালী অনুসাৰে মানুহে কাৰ্য কৰিলে জীয়াই
থাকিব পাৰে, মোৰ এনে বিধি তেওঁলোকক দিলোঁ আৰু মোৰ এনে
শাসন-প্ৰণালী তেওঁলোকক মই দেখুৱালোঁ। ১২ ইয়াৰ বাহিৰে, মই যে
তেওঁলোকক পবিত্ৰ কৰোঁতা যিহোৱা, ইয়াক তেওঁলোকে জানিবৰ
বাবে মোৰ আৰু তেওঁলোকৰ মাজত এটি চিন হ'বলৈ মোৰ বিশ্ৰাম
দিনবোৰ তেওঁলোকক দিলোঁ। ১৩ কিন্তু ইস্ৰায়েল বংশই অৰণ্যত
মোৰ অহিতে বিদ্ৰোহ কৰিলে। তেওঁলোকে মোৰ বিধিমতে নচলিলে
আৰু যি শাসন-প্ৰণালী অনুসাৰে মানুহে কাৰ্য কৰিলে তাৰে জীয়াই
থাকিব পাৰে, তেওঁলোকে মোৰ সেই শাসন-প্ৰণালীবোৰ অগ্ৰাহ্য
কৰিলে আৰু মোৰ বিশ্ৰাম দিনবোৰ অতি অপবিত্ৰ কৰিলে; তাতে
মই তেওঁলোকক বিনষ্ট কৰিবৰ অৰ্থে, অৰণ্যত তেওঁলোকৰ ওপৰত
মোৰ কোপ বৰষাবলৈ মন কৰিছিলোঁ। ১৪ কিন্তু যি জাতিবোৰৰ
সাক্ষাতে মই তেওঁলোকক উলিয়াই আনিছিলোঁ, সেই জাতিবোৰৰ
সাক্ষাতে মোৰ নাম অপবিত্ৰ কৰা নহ'বৰ বাবে মোৰ নামৰ উদ্দেশ্যে
মই কাৰ্য কৰিলোঁ। ১৫ ইয়াত বাজে, আটাই দেশৰ ভূষণস্বৰূপ, গাখীৰ
আৰু মৌ-জোল বোৱা, মই তেওঁলোকক দান কৰা দেশৰ মাজলৈ
তেওঁলোকক নিনিও বুলি মই অৰণ্যত তেওঁলোকৰ অহিতে হাত দাঙি
শপত কৰিছিলোঁ। ১৬ কাৰণ তেওঁলোকে মোৰ শাসন-প্ৰণালীবোৰ
অগ্ৰাহ্য কৰিলে, মোৰ বিধিমতে নচলিলে আৰু মোৰ বিশ্ৰাম-দিনবোৰ
অপবিত্ৰ কৰিলে; কিয়নো তেওঁলোকৰ মন তেওঁলোকৰ প্ৰতিমাবোৰৰ
পাছত চলি আছিল। ১৭ তথাপি মই তেওঁলোকলৈ কৃপাদৃষ্টি কৰি
তেওঁলোকক বিনষ্ট নকৰিলোঁ আৰু অৰণ্যত তেওঁলোকক নিঃশেষে
সংহাৰ নকৰিলোঁ। ১৮ আৰু অৰণ্যত মই তেওঁলোকৰ সন্তানসকলক
কলোঁ, 'তোমালোকে তোমালোকৰ পূৰ্বপুৰুষসকলৰ বিধিবোৰত

নচলিবা, বা তেওঁলোকৰ শাসন-প্ৰণালীবোৰ পালন নকৰিবা, নাইবা
তেওঁলোকৰ প্ৰতিমাবোৰেৰে তোমালোকে নিজক অশুচি নকৰিবা।
১৯ মযেই তোমালোকৰ ঈশ্বৰ যিহোৱা! মোৰ বিধিমতে চলা, মোৰ
শাসন-প্ৰণালীবোৰ পালন কৰা আৰু সেই অনুসাৰে কাৰ্য কৰা! ২০
আৰু তোমালোকে মোৰ বিশ্ৰাম-দিনবোৰ পবিত্ৰ কৰা; তাতে মই যে
তোমালোকৰ ঈশ্বৰ যিহোৱা, ইয়াক তোমালোকে জানিবৰ বাবে মোৰ
আৰু তোমালোকৰ মাজত এইবোৰেই এটি চিন হ'ব। ২১ তেতিয়া
মই কলোঁ, মই তেওঁলোকৰ ওপৰত মোৰ ক্ৰোধ বাকি দিবলৈ আৰু
তেওঁলোকক মৰুপ্ৰান্তত মোৰ খঙত মই শেষ কৰিবলৈ বিচাৰিলো।
২২ তথাপি, যি জাতিবোৰৰ সাক্ষাতে মই তেওঁলোকক উলিয়াই
আনিছিলোঁ, সেই জাতিবোৰৰ সাক্ষাতে মোৰ নাম অপবিত্ৰ কৰা নহ'বৰ
বাবে মই মোৰ হাত কোঁচাই মোৰ নামৰ উদ্দেশ্যে কাৰ্য কৰিলোঁ।
২৩ ইয়াৰ উপৰিও, জাতিবোৰৰ মাজত তেওঁলোকক ছিন্ন-ভিন্ন আৰু
দেশবোৰৰ মাজত তেওঁলোকক গোট গোট কৰিম বুলি মই অৰণ্যত
তেওঁলোকৰ অহিতে মোৰ হাত দাঙি শপত কৰিলোঁ। ২৪ কাৰণ
তেওঁলোকে মোৰ শাসন-প্ৰণালী অনুসাৰে কাৰ্য নকৰিলে, কিন্তু মোৰ
বিধিবোৰ অগ্ৰাহ্য কৰিলে, মোৰ বিশ্ৰাম-দিনবোৰ অপবিত্ৰ কৰিলে।
তেওঁলোকৰ চকু তেওঁবিলাকৰ পূৰ্বপুৰুষসকলৰ প্ৰতিমাবোৰত আসক্ত
থাকিল। ২৫ ইয়াৰ উপৰিও, যি বিধি ভাল নহয় আৰু যি শাসন-প্ৰণালীৰ
দ্বাৰাই তেওঁলোকে জীয়াই থাকিব নোৱাৰিব, এনে বিধি আৰু শাসন-
প্ৰণালী মই তেওঁলোকক দিলোঁ। ২৬ মই যে যিহোৱা, ইয়াক যেন
তেওঁলোকে জানিব, এই কাৰণে মই তেওঁলোকক উচ্ছন্ন কৰিবলৈ,
প্ৰথমে জন্মা তেওঁলোকৰ আটাইকে জুইৰ মাজেদি গমন কৰোঁৱাৰ
দ্বাৰাই, তেওঁলোকক, তেওঁলোকৰ উপহাৰেৰে অশুচি কৰিলোঁ। ২৭ এই
হেতুকে হে মনুষ্য সন্তান, তুমি ইস্রায়েল বংশক কোৱা; তেওঁলোকক
এই কথা কোৱা, 'প্ৰভু যিহোৱাই এই কথা কৈছে, তোমালোকৰ
পূৰ্ব্ব-পুৰুষসকলে মোৰ অহিতে অপৰাধ কৰি, ইয়াতে মোক আৰু
অপমান কৰিলে; ২৮ কিয়নো যি দেশ তেওঁলোকক দিম বুলি মই
হাত দাঙি শপত কৰিছিলোঁ, সেই দেশলৈ মই যেতিয়া তেওঁলোকক

আনিলোঁ, তেতিয়া তেওঁলোকে যি যি ঠাইত কোনো ওখ পৰ্ব্বত আৰু
কোনো ঘনপতীয়া গছ দেখা পালে, সেই সেই ঠাইত তেওঁলোকে
নিজ নিজ বলি উৎসৰ্গ কৰিছিল, সেই সেই ঠাইত বিৰক্তিজনক
নিজ নিজ নৈবেদ্য দিছিল, সেই সেই ঠাইত নিজ নিজ সুঘ্ৰাণাৰ্থক
দ্ৰব্য থৈছিল আৰু সেই সেই ঠাইত পেয় নৈবেদ্য ঢালিছিল। ২৯
তেতিয়া মই তেওঁলোকক কলোঁ, ‘যি ওখ ঠাইখনলৈ তোমালোক
উঠি যোৱা, সেই ঠাই কি? এই দৰে সেই ঠাই আজিলৈকে “বামা”
নামেৰে প্ৰসিদ্ধ”।’ ৩০ এই হেতুকে তুমি ইস্ৰায়েল-বংশক কোৱা,
‘প্ৰভু যিহোৱাই এই কথা কৈছে: “তোমালোকৰ পূৰ্বপুৰুষসকলৰ দৰে
তোমালোকে তোমালোকক অশুচি কৰা নাই নে? আৰু তেওঁলোকৰ
ঘিণলগীয়া বস্তুৰ পাছে পাছে ব্যভিচাৰী হৈ যোৱা নাই নে? ৩১ আৰু
তোমালোকে নিজৰ উপহাৰ উৎসৰ্গ কৰি, নিজৰ সন্তান সকলক অগ্নিৰ
মাজেদি গমন কৰাই আজিলৈকে তোমালোকৰ আটাই প্ৰতিমাৰে
সৈতে নিজকে অশুচি কৰা নাই নে? তেন্তে হে ইস্ৰায়েল বংশ, মই
জানো তোমালোকক মোক সুধিবলৈ দিম? “““প্ৰভু যিহোৱাই কৈছে,
মোৰ জীৱনৰ শপত, মই তোমালোকক মোক সুধিবলৈ নিদিওঁ।”””
৩২ আমি কাঠ আৰু শিলক পূজা কৰি, জাতিবোৰ দেশে-বিদেশে
থকা গোষ্ঠীসকলৰেই দৰে হ’ম বুলি তোমালোকক কোৱা কথা,
তোমালোকৰ মনত উদয় হোৱা, কথা সমূলি নঘটিব!’ ৩৩ “প্ৰভু
যিহোৱাই কৈছে”, মোৰ জীৱনৰ শপত, পৰাক্ৰমী হাতেৰে, মেলা বাহুৰে
আৰু ক্ৰোধ বৰ্ষণেৰে মই নিশ্চয়ে তোমালোকৰ ওপৰত ৰজা হ’ম। ৩৪
পৰাক্ৰমী হাতেৰে, মেলা বাহুৰে, আৰু ক্ৰোধ বৰ্ষণেৰে মই জাতিবোৰৰ
মাজৰ পৰা তোমালোকক উলিয়াই আনিম আৰু তোমালোক ছিন্ন-
ভিন্ন হোৱা দেশৰ পৰা তোমালোকক গোটাম। ৩৫ মই তোমালোকক
জাতিবোৰৰ অৰণ্যলৈ নি, তাত তোমালোকে সৈতে সন্মূখা-সন্মূখি হৈ
প্ৰতিবাদ কৰিম। ৩৬ প্ৰভু যিহোৱাই কৈছে, “মিচৰ দেশৰ অৰণ্যত মই
তোমালোকৰ পূৰ্বপুৰুষসকলৰ লগত প্ৰতিবাদ কৰাৰ দৰে তোমালোকৰ
লগতো প্ৰতিবাদ কৰিম। ৩৭ আৰু মই তোমালোকক দণ্ডডালিৰ
তলেদি গমন কৰাম আৰু নিয়মটিৰ বান্ধনীলৈ আনিম; ৩৮ আৰু

মই বিদ্ৰোহীহঁতক আৰু মোৰ অহিতে সত্যলঙ্ঘন কৰাসকলক জাৰি
তোমালোকৰ মাজৰ পৰা দূৰ কৰিম; তেওঁলোকে প্ৰবাস কৰা দেশৰ
পৰা মই তেওঁলোকক উলিয়াম, কিন্তু তেওঁলোক ইস্ৰায়েল দেশত
নোসোমাব তাতে মই যে, যিহোৱা, তাক তোমালোকে জানিবা!"
৩৯ হে ইস্ৰায়েল-বংশ, প্ৰভু যিহোৱাই এইদৰে কৈছে: "তোমালোক
যোৱা, প্ৰতিজনে নিজ নিজ প্ৰতিমাবোৰক সেৱা পূজা কৰাগৈ; কিন্তু
তোমালোকে ভৱিষ্যতে মোৰ কথালৈ অৱেশ্য কাণ দিবা আৰু মোৰ
পবিত্ৰ নাম তোমালোকৰ উপহাৰ আৰু তোমালোকৰ প্ৰতিমাৰে
তোমালোকে আৰু অশুচি নকৰিবা। ৪০ কিয়নো, প্ৰভু যিহোৱাই কৈছে,
মোৰ পবিত্ৰ পৰ্ব্বতখনত, ইস্ৰায়েলৰ ওখ পৰ্ব্বতখনতেই ইস্ৰায়েলৰ
আটাই বংশই, তেওঁলোকৰ আটায়ে দেশত সেই ঠাইতে মোৰ আৰাধনা
কৰিব, সেই ঠাইতে মই তেওঁলোকক গ্ৰহণ কৰিম আৰু সেই ঠাইতে
তোমালোকৰ সকলো পবিত্ৰ বস্তুৰে সৈতে তোমালোকৰ উপহাৰ
আৰু নৈবেদ্যস্বৰূপে দিবলগীয়া তোমালোকৰ আগভাগ পাবলৈ মই
ইচ্ছা কৰিম। ৪১ যেতিয়া মই তোমালোকক জাতিবোৰৰ মাজৰ
পৰা উলিয়াই আনিম আৰু তোমালোক ছিন্ন-ভিন্ন হোৱা দেশবোৰৰ
পৰা তোমালোকক গোটাম, তেতিয়া মই তোমালোকক সুঘ্ৰাণস্বৰূপে
গ্ৰহণ কৰিম আৰু মই জাতিবোৰৰ সাক্ষাতে তোমালোকৰ মাজত
পবিত্ৰীকৃত হ'ম। ৪২ তেতিয়া যি দেশ তোমালোকৰ পূৰ্বপুৰুষসকলক
দিম বুলি মই হাত দাঙি শপত কৰিছিলোঁ, সেই ইস্ৰায়েল দেশলৈ
মই তোমালোকক যেতিয়া আনিম তেতিয়া মই যে যিহোৱা, তাক
তোমালোকে জানিবা। ৪৩ আৰু যি যি আচাৰ-ব্যৱহাৰ আৰু কাৰ্যেৰে
তোমালোকে নিজকে অশুচি কৰিলা, সেই সেই আচাৰ-ব্যৱহাৰ আৰু
কাৰ্য তাত তোমালোকে মনত কৰিবা আৰু তোমালোকে কৰা সকলো
কুকৰ্মৰ বাবে তোমালোকে তোমালোকৰ দৃষ্টিত নিজকে ঘিণ কৰিবা।
৪৪ আৰু প্ৰভু যিহোৱাই কৈছে, হে ইস্ৰায়েল বংশ তোমালোকৰ কু-
আচৰণ বা তোমালোকৰ দুষ্কৰ্ম অনুসাৰে নহয়, কিন্তু মোৰ নামৰ
অৰ্থেহে যেতিয়া মই তোমালোকলৈ কাৰ্য কৰিম, তেতিয়া, মই যে
যিহোৱা, তাক তোমালোকে জানিবা। ৪৫ তেতিয়া যিহোৱাৰ বাক্য

মোৰ ওচৰলৈ আহিল আৰু ক’লে, ৪৬ “হে মনুষ্য সন্তান, তুমি দক্ষিণ
ফাললৈ তোমাৰ মুখ কৰি, দক্ষিণ দিশে তোমাৰ বাক্য বৰষোৱা আৰু
দক্ষিণ অঞ্চলত থকা দেশৰ কাঠনিৰ বিৰুদ্ধে ভাববাণী প্ৰচাৰ কৰা। ৪৭
আৰু তুমি দক্ষিণ অঞ্চলৰ সেই কাঠনিক কোৱা, ‘যিহোৱাৰ বাক্য শুনা,
প্ৰভু যিহোৱাই এই কথা কৈছে! চোৱা, মই তোমাৰ মাজত একুৰা জুই
জ্বলাম আৰু সেই জুইয়ে তোমাৰ মাজত থকা প্ৰত্যেক কেঁচাপতীয়া
আৰু প্ৰত্যেক শুকান গছ ভস্ম কৰিব; সেই প্ৰজ্বলিত অগ্নি নুমুৰা নহ’ব
আৰু দক্ষিণৰ পৰা উত্তৰলৈকে সকলোৰে মুখ তাৰে পোৰা হ’ব। ৪৮
তেতিয়া মই যিহোৱায়েই যে, তাক জ্বলালোঁ, সকলো মানুহে তাক
জানিব; তাক নুমৰা নহ’ব।” ৪৯ তেতিয়া মই ক’লোঁ, “হায় হায়! প্ৰভু
যিহোৱা, লোকে মোৰ বিষয়ে কয়, এইজনে নিগূঢ় বাক্যৰে কথা নকয়
নে’?”

**২১** তেতিয়া যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল আৰু ক’লে, ২
“হে মনুষ্য সন্তান, তুমি যিৰূচালেমৰ ফাললৈ তোমাৰ মুখ কৰি, পবিত্ৰ
স্থানবোৰৰ ফাললৈ বাক্য বৰষোৱা; ইস্ৰায়েল দেশৰ বিৰুদ্ধে ভাববাণী
প্ৰচাৰ কৰা। ৩ তুমি ইস্ৰায়েল দেশক কোৱা, ‘যিহোৱাই এই কথা
কৈছে: চোৱা! মই তোমাৰ বিপক্ষ! মই মোৰ তৰোৱাল ইয়াৰ ফাকৰ
পৰা উলিয়াই তোমাৰ মাজৰ পৰা ধাৰ্মিক আৰু দুষ্ট দুয়োকো উচ্ছন্ন
কৰিম! ৪ মই ধাৰ্মিক আৰু দুষ্ট দুয়োকো তোমাৰ মাজৰ পৰা উচ্ছন্ন
কৰিম; সেইবাবে দক্ষিণৰ পৰা উত্তৰলৈকে সকলো মত্যৰ অহিতে মোৰ
তৰোৱাল ইয়াৰ ফাকৰ পৰা ওলাব। ৫ আৰু মই যিহোৱায়েই যে ইয়াৰ
ফাকৰ পৰা মোৰ তৰোৱাল উলিয়ালোঁ, ইয়াক সকলো মত্যই জানিব।
ই পুনৰায় ঘূৰি নাযাব!’ ৬ আৰু তুমি, হে মনুষ্য সন্তান, কঁকাল ভগাকৈ
হুমুনিয়াহ পেলোৱা! আৰু মনৰ বেজাৰেৰে সৈতে তেওঁলোকৰ আগত
হুমুনিয়াহ পেলোৱা! ৭ তেতিয়া ‘কিয় তুমি হুমুনিয়াহ পেলাইছা?’
এইবুলি যেতিয়া তেওঁলোকে তোমাক সুধিব, তেতিয়া তুমি ক’বা,
বাৰ্ত্তাৰ কাৰণে; কিয়নো সেয়ে আহিছে আৰু প্ৰত্যেকৰ হৃদয় কোমল
হ’ব, আটাইৰে হাত দুৰ্ব্বল হ’ব, প্ৰত্যেকৰ মন নিৰুৎসাহ হ’ব আৰু
সকলোৰে আঁঠু পানীৰ নিচিনা অস্থিৰ হ’ব; চোৱা! প্ৰভু যিহোৱাই

কৈছে, সেয়ে আহিছে আৰু সকলো সিদ্ধ হ'ব।” ৮ তেতিয়া যিহোৱাৰ
বাক্য মোৰ ওচৰলৈ আহিল আৰু ক'লে, ৯ “হে মনুষ্য সন্তান, ভাববাণী
প্ৰচাৰ কৰি কোৱা, ‘যিহোৱাই এই কথা কৈছে: তুমি কোৱা, তৰোৱাল!
তৰোৱাল! তোমাক ধাৰ দিয়া আৰু চিকুণ কৰা হ'ব। ১০ বধ কৰিবৰ
বাবে তোমাক ধাৰ দিয়া হৈছে, বিজুলীৰ দৰে হ'বৰ বাবে তোমাক
চিকুণ কৰা হৈছে! তেনেহলে আমি জানো আমোদ প্ৰমোদ কৰিম? মোৰ
পুত্ৰৰ দণ্ডডালিয়ে আটাই কাঠকে তুচ্ছ কৰে! ১১ তাক হাতত ল'বৰ
বাবে, তেওঁ তাক চিকুণ কৰিবলৈ আজ্ঞা দিছে! বধ কৰোঁতাৰ হাতত
দিবৰ বাবে তৰোৱালখন ধাৰ দিয়া হৈছে! এনে কি চিকুণ কৰাও হৈছে!
১২ হে মনুষ্য সন্তান, চিঞৰি ক্ৰন্দন কৰা আৰু বিলাপ কৰা; কিয়নো
সেই তৰোৱাল মোৰ প্ৰজা আৰু ইস্ৰায়েলৰ আটাই বিষয়াসকলৰ
ওপৰলৈ আহিল! তেওঁলোকক মোৰ প্ৰজাসকলে সৈতে তৰোৱালত
শোধাই দিয়া হ'ল; এই হেতুকে তুমি নিজ কৰঙনত চপৰিওৱা। ১৩
কিয়নো পৰীক্ষা কৰা হৈছে; তুচ্ছ কৰোঁতে দণ্ডডালিও যদি নাথাকে,
তেন্তে কি হ'ব?’ এয়ে প্ৰভু যিহোৱাৰ বচন। ১৪ এই হেতুকে এতিয়া
তুমি, হে মনুষ্য সন্তান, তুমি ভাববাণী প্ৰচাৰ কৰা আৰু হাত তালি দিয়া;
অনেক লোকক বধ কৰা তৰোৱালখনেই তৃতীয়বাৰ দুগুণ কোবেৰে
কাটক! সেয়ে তেওঁলোকৰ ভিতৰ- কোঁঠালিত সোমোৱা, মহৎ লোক
জনক সাংঘাতিকৰূপে আঘাত কৰা তৰোৱাল! ১৫ তেওঁলোকৰ হৃদয়
কোমল হ'বৰ বাবে আৰু তেওঁলোকৰ উজুটি খাই পৰা লোকৰ সংখ্যা
সৰহ হ'বৰ কাৰণে এই তৰোৱালখনৰ আগটো তেওঁলোকৰ আটাই
নগৰ দুৱাৰৰ অহিতে স্থাপন কৰিলোঁ! হায় হায়! তাক বিজুলী যেন
কৰা হ'ল, বধ কৰিবৰ কাৰণে তাক ধাৰ দিয়া হ'ল। ১৬ হে তৰোৱাল,
তোমাৰ সমূদায় বল সংগ্ৰহ কৰি সোঁফালে ঘূৰা! যুগুত হৈ বাওঁফালে
ঘূৰা! যি ফালে তোমাৰ ধাৰ আছে তুমি সেই ফাললৈ গমন কৰা। ১৭
ময়ো হাত-তালি দিম আৰু মোৰ ক্ৰোধ মাৰ নিয়াম; মই যিহোৱাই
ইয়াকে ক'লোঁ। ১৮ পুনৰায় যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল আৰু
ক'লে, ১৯ “হে মনুষ্য সন্তান, বাবিলৰ ৰজাৰ তৰোৱালখন আহিবৰ
কাৰণে তুমি দুটা পথ নিৰ্ধাৰণ কৰা, সেই দুটা পথ একেখন দেশৰ

পৰা ওলাই আহিব; আৰু তুমি হাতৰ আকৃতিৰ এক চিন কাটা, নগৰ
কেইখনলৈ অহা বাটৰ মূৰত তাক কাটা। ২০ তৰোৱালখন অম্মোনৰ
সন্তান সকলৰ ৰব্বা নগৰলৈ আহিবৰ কাৰণে এটা পথ আৰু যিহূদাৰ
মাজত থকা গড়েৰে আবৃত, যিৰূচালেম নগৰলৈ আহিবৰ কাৰণে এটা
পথ তুমি আঁকা। ২১ কিয়নো বাবিলৰ ৰজাই দুই বাটৰ জোৰাত,
দুই বাটৰ মূৰত মঙ্গল চাবলৈ থিয় হ'ব। তেওঁ কাঁড় দুডাল ইফালে
সিফালে জোকাৰিব, গৃহ-দেৱতাবোৰক সুধিব আৰু মেৰৰ আগমঙহ
চাব। ২২ পাছে গড় ভঙা যন্ত্র স্থাপন কৰিবলৈ, হত্যাৰ বাবে হুকুম
দিবলৈ, উচ্ছস্বৰে জয়ধ্বনি কৰিবলৈ, দুৱাৰবোৰৰ অহিতে গড় ভঙা
যন্ত্র স্থাপন কৰিবলৈ, হাদাম বান্ধিবলৈ, কোঁঠ সাজিবলৈ তেওঁৰ সোঁ
হাতত যিৰূচালেমৰ নাম উঠিল! ২৩ সেই মঙ্গলচোৱা কাৰ্যটো বৃথা হ'ব
বুলি বাবিলনৰ ৰজাৰ আগত শপত খোৱা যিৰূচালেমৰ লোকসকলে
ভাবিব! কিন্তু অৱৰোধ কৰিবলৈ যি চুক্তি তেওঁলোকে উলংঘন কৰাৰ
বাবে ৰজাই তেওঁলোকক দোষাৰূপ কৰিব! ২৪ এই হেতুকে প্রভু
যিহোৱাই এই কথা কৈছে: তেওঁলোক ধৰা পৰিবৰ কাৰণে তেওঁ
অপৰাধবোৰ সোঁৱৰণ কৰাব, তোমালোকৰ আটাই কাৰ্যৰ দ্বাৰাই,
তোমালোকৰ পাপবোৰ ওলাই পৰাকৈ তোমালোকৰ অপৰাধবোৰ
প্রকাশিত হ'ব! এইদৰে তোমালোকে নিজৰ দুষ্কর্ম সোঁৱৰণ কৰালা
আৰু তোমালোকলৈ মোৰ মনত পৰিব; এতেকে তোমালোক শত্রুৰ
হাতত ধৰা পৰিবা। ২৫ আৰু তুমি, হে অশুচি আৰু দুষ্ট ইস্রায়েলৰ
অধিপতি, যিজনৰ শাস্তিৰ কাল উপস্থিত হ'ল, হত হ'বলগীয়া অন্তজনক
অপৰাধৰ কাল উপস্থিত হোৱা দিন উকলিল, ২৬ প্রভু যিহোৱাই এই
কথা কৈছে: পাগুৰি গুচুউৱা আৰু ৰাজমুকুট দূৰ কৰা! এইবোৰ আৰু
একেই হৈ নাথাকিব! চাপৰক ওখ কৰা হ'ব আৰু ওখক চাপৰ কৰা
হ'ব। ২৭ মই সকলো নষ্ট কৰিম! নষ্ট কৰিম! নষ্ট কৰিম! স্বত্ব থকা জনা
নহালৈকে নিশ্চয়ে এই ৰাজমুকুট আৰু নাথাকিব; আৰু তেতিয়া মই
এইবোৰ সেই জনাকহে দিম। ২৮ হে মনুষ্য সন্তান, তুমি ভাববাণী
প্রচাৰ কৰি কোৱা, 'প্রভু যিহোৱাই এইদৰে কৈছে যে, অম্মোনৰ সন্তান
সকলৰ আৰু তেওঁলোকে দিয়া অপমানৰ বিষয়ে এই কথা কৈছে: এখন

তৰোৱাল, ফাকৰ পৰা এখন তৰোৱাল উলিওৱা হৈছে; গ্ৰাস কৰিবলৈ,
বিজুলীস্বৰূপ হ'বলৈ হত্যাৰ কাৰণে তাক সজা হৈছে! ২৯ তেওঁলোকে
তোমাৰ পক্ষে অনৰ্থক দৰ্শন পোৱাত আৰু তোমাৰ পক্ষে মিছা মঙ্গল
চোৱাত, হত হ'বলগীয়া সেই দুষ্টবোৰৰ ডিঙিত তোমাক পেলাবলৈ
সেই অন্তজনক অপৰাধৰ সময়ৰ দিন উপস্থিত হ'ব। ৩০ তুমি তাক
ফাকত পুনৰ সুমুউৱা। তোমাক সৃষ্টি কৰা ঠাইত, তোমাৰ জন্মদেশত
মই তোমাক দণ্ড দিম! ৩১ আৰু মই তোমাৰ ওপৰত মোৰ ক্ৰোধ
বৰষাম, মোৰ ক্ৰোধাগ্নি তোমাৰ ওপৰত ফুঁৱাম আৰু বিনষ্ট কৰিবলৈ
নিপুণ পশুতুল্য লোকসকলৰ হাতত তোমাক শোধাই দিম! ৩২ তুমি
জুইৰ খৰিস্বৰূপ হ'বা! দেশৰ মাজত তোমাৰ ৰক্তপাত হ'ব। তোমাক
আৰু সোঁৱৰণ কৰা নাযাব, কিয়নো মই যিহোৱাই ইয়াক কলোঁ'।"

## ২২
তেতিয়া যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল আৰু ক'লে,
২ "এতিয়া তুমি, হে মনুষ্য সন্তান, তুমি গোচৰ নচলোৱা নে?
ৰক্তপাতকাৰিণী নগৰীৰ ওপৰত গোচৰ নচলোৱা নে? তেন্তে তাইৰ
আটাই ঘিণলগীয়া কাৰ্য তাইক জনোৱা। ৩ আৰু তুমি ক'ব লাগিব, 'প্ৰভু
যিহোৱাই এই কথা কৈছে: ই কেনেকুৱা নগৰী যে, নিজৰ সময় আহিবৰ
কাৰণে নিজৰ মাজত ৰক্তপাত কৰে আৰু নিজকে অশুচি কৰিবলৈ
নিজৰ কাৰণে প্ৰতিমাবোৰ নিৰ্ম্মাণ কৰে। ৪ হে নগৰী তুমি কৰা
ৰক্তপাতত তুমি দোষী থ'লো আৰু তুমি নিৰ্ম্মাণ কৰা তোমাৰ প্ৰতিমা-
বোৰৰ দ্বাৰাই তুমি অশুচি থ'লো! আৰু তুমি কাল ওচৰ চপাইছা আৰু
তোমাৰ আয়ুসৰ শেষলৈ আহিছা। এই হেতুকে মই জাতিবোৰৰ আগত
তোমাক ধিক্কাৰৰ আৰু আটাই দেশৰ আগত বিদ্ৰূপৰ বিষয় কৰিম।
৫ হে বদনামী কলহপূৰ্ণা নগৰী, তোমাৰ ওচৰত আৰু নিলগত থকা
সকলোৱে তোমাক বিদ্ৰূপ কৰিব। ৬ চোৱা, ইস্ৰায়েলৰ অধ্যক্ষসকলে
নিজ নিজ বাহুবল অনুসাৰে ৰক্তপাত কৰিবলৈ তোমাৰ মাজত আছে।
৭ তোমাৰ মাজত পিতৃ-মাতৃক হেয়জ্ঞান কৰা হৈছে, তোমাৰ মাজত
বিদেশীক অত্যাচাৰ কৰা হৈছে; তোমাৰ মাজত পিতৃহীন আৰু বিধৱাক
অন্যায় কৰা হৈছে। ৮ তুমি মোৰ পবিত্ৰ বস্তুবোৰ ঘিণ কৰিছা আৰু মোৰ
বিশ্ৰাম-দিনবোৰ অপবিত্ৰ কৰিছা! ৯ ৰক্তপাত কৰিবলৈ তোমাৰ মাজত

চৰ্চ্চিফুৰা লোক আছে। তোমাৰ মাজত লোকে পৰ্ব্বতবোৰৰ ওপৰত
ভোজন কৰে। তোমাৰ মাজত ব্যভিচাৰ কৰে! ১০ তোমাৰ মাজত
পিতৃৰ উলঙ্গতা প্ৰকাশ কৰে। তোমাৰ মাজত ঋতু-স্নান হোৱা স্ত্ৰীক
বলাৎকাৰ কৰে। ১১ কোনোৱে নিজৰ ওচৰ-চুবুৰীয়াৰ স্ত্ৰীৰে সৈতে
ঘিণলগীয়া কাৰ্য কৰে, কোনোজনে নিজৰ বোৱাৰীয়েকক কুকৰ্মৰে
অশুচি কৰে আৰু তোমাৰ মাজত আন কোনোৱে নিজৰ ভনীয়েকক,
বাপেকৰ জীয়েকক বলাৎকাৰ কৰে। ১২ ৰক্তপাত কৰিবলৈ তোমাৰ
মাজত লোকে ভেঁটি লয়। তুমি সুত আৰু বাঢ়ি লওঁতা আৰু তুমি
লোভ কৰি অত্যাচাৰৰ দ্বাৰাই তোমাৰ ওচৰ-চুবুৰীয়াৰ পৰা লাভ
কৰিছা, কিন্তু মোক হ'লে পাহৰিছা।" ইয়াক প্ৰভু যিহোৱাই কৈছে।
১৩ এই হেতুকে চোৱা! তুমি কৰা অন্যায় লাভত আৰু তোমাৰ মাজত
ৰক্তপাতত তুমি এইবোৰ কৰাত মই হাত তালি দিছোঁ। ১৪ মই যি
দিনা তোমাৰ প্ৰতিশোধ ল'ম, সেইদিনা তোমাৰ হৃদয়ে সহি থাকিব
পাৰিব নে? বা তোমাৰ হাত সবল হ'ব নে? মই, যিহোৱাই ইয়াক
ক'লোঁ আৰু মই ইয়াক সিদ্ধও কৰিম। ১৫ মই জাতিবোৰৰ মাজত
তোমাক ছিন্ন-ভিন্ন কৰিম, দেশবোৰৰ মাজত তোমাক গোট গোট
কৰিম আৰু তোমাৰ মাজৰ পৰা তোমাৰ লেতেৰাবোৰ নিকা কৰিম।
১৬ আৰু তোমাক জাতিবোৰৰ সাক্ষাতে অপবিত্ৰ কৰা হ'ব। আৰু মই
যে যিহোৱা, তাক তুমি জানিবা!" ১৭ তাৰ পাছত যিহোৱাৰ বাক্য
মোৰ ওচৰলৈ আহিল আৰু ক'লে, ১৮ "হে মনুষ্য সন্তান, ইস্ৰায়েল
বংশ মোৰ দৃষ্টিত আৱৰ্জনাস্বৰূপ হ'ল। তেওঁলোক সকলোৱেই মূহিত
দিব লগা পিতল, বগীতাম, লোহা আৰু সীহস্বৰূপ তেওঁলোক ৰূপৰ
আৱৰ্জনাস্বৰূপ। ১৯ এই হেতুকে প্ৰভু যিহোৱাই এই কথা কৈছে:
'তোমালোক সকলোৱেই আৱৰ্জনাস্বৰূপ হোৱাৰ বাবে চোৱা! মই
তোমালোকক যিৰূচালেমৰ মাজত গোটাম। ২০ মানুহে ৰূপ, পিতল,
লোহা, সীহ আৰু বগীতাম গলাবৰ বাবে, তাৰ ওপৰত জুই ফুঁৱাবলৈ
মূহীৰ মাজত তাক গোটাই দিয়াৰ দৰে মই তোমালোকক মোৰ ক্ৰোধত
আৰু কোপত গোটাম আৰু তোমালোকক তাত পেলাই গলাম। ২১ এনে
কি, মই তোমালোকক গোটাই, মোৰ ক্ৰোধাগ্নি তোমালোকৰ ওপৰত

ফুঁৱাম; তাতে তোমালোক তাৰ মাজত গলি যাবা। ২২ মূহীৰ মাজত ৰূপ
গলাৰ দৰে তাৰ মাজত তোমালোক গলিবা; গতিকে মই যিহোৱায়েই
যে তোমালোকৰ ওপৰত মোৰ ক্ৰোধ বৰষালোঁ, তাক তোমালোকে
জানিবা'!" ২৩ যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল আৰু ক'লে, ২৪
“হে মনুষ্য সন্তান, তুমি যিহূদাক কোৱা, 'তুমি হাবি নকটা, বা ক্ৰোধৰ
দিনা বৰষুণ নিদিয়া দেশ! ২৫ তাৰ মাজত তাৰ ভাববাদীসকলে চক্ৰান্ত
কৰিছে, তেওঁলোকে চিকাৰ ধৰোঁতে গৰ্জ্জন কৰোঁতা সিংহৰ নিচিনা;
তেওঁলোকে মনুষ্যক গ্ৰাস কৰে! তেওঁলোকে ধন-সম্পত্তি আৰু বহুমূল্য
বস্তু নিয়ে; তেওঁলোকে তাৰ মাজত তাৰ বিধৱাৰ সংখ্যা বঢ়ালে।
২৬ তাৰ পুৰোহিতবোৰে মোৰ ব্যৱস্থাৰ বিপৰীতে অত্যাচাৰ কৰে;
তেওঁলোকে পবিত্ৰ আৰু সাধাৰণৰ মাজত প্ৰভেদ নাৰাখে, বা শুচি আৰু
অশুচিৰ মাজত বিভিন্ন কৰিবলৈ মানুহক নিশিকাই; তেওঁলোকে মোৰ
বিশ্ৰাম-দিনবোৰৰ পৰা তেওঁলোকৰ চকু ঢাকে আৰু মই তেওঁলোকৰ
মাজত অপবিত্ৰীকৃত হ'লো। ২৭ অন্যায় লাভ কৰিবৰ কাৰণে ৰক্তপাত
কৰিবলৈ আৰু মনুষ্যক বিনষ্ট কৰিবলৈ তাৰ মাজত থকা তাৰ মুখ্যসকল
চিকাৰ ধৰোঁতা ৰাংকুকুৰস্বৰূপ। ২৮ যিহোৱাই নোকোৱাকৈয়ে প্ৰভু
যিহোৱাই এইদৰে কৈছে বুলি তাৰ ভাববাদীসকলে কৈ, অনৰ্থক দৰ্শন
দেখি আৰু তেওঁলোকৰ পক্ষে মিছা মঙ্গল চাই, তেওঁলোকৰ বাবে
চূণেৰে লিপে। ২৯ দেশৰ প্ৰজাসকলে উপদ্ৰৱ কৰে, বলেৰে লয়,
এনে কি, দুখী-দৰিদ্ৰক দুখ দিয়ে আৰু বিদেশীক অন্যায়কৈ অত্যাচাৰ
কৰে। ৩০ আৰু মই দেশ নষ্ট নকৰিবৰ কাৰণে, চাৰিওফালে গড়
নিৰ্ম্মাণ কৰিব পৰা আৰু দেশৰ অৰ্থে মোৰ আগত গড় ভঙা বাটত থিয়
হ'ব পৰা এনে এজন মানুহ তেওঁলোকৰ মাজত বিচাৰিলোঁ, কিন্তু মই
কাকো নাপালোঁ। ৩১ এই হেতুকে মই তেওঁলোকৰ ওপৰত মোৰ
ক্ৰোধ বৰষাম, মোৰ ক্ৰোধাগ্নিয়ে তেওঁলোকক সংহাৰ কৰিম! মই
তেওঁলোকৰ নিজৰ নিজৰ আচাৰ-ব্যৱহাৰৰ ফল তেওঁলোকৰ মূৰত
ফলিওৱাম।' এইদৰে প্ৰভু যিহোৱাই কৈছে।”

**২৩** যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল আৰু ক'লে, ২ “হে মনুষ্য
সন্তান, দুজনী মহিলা আছিল; তেওঁলোক একেজনী মাতৃৰে জীয়েক।

৩ তেওঁলোকে মিচৰত যৌৱন কালতেই বেশ্যাকৰ্ম কৰিছিল। আৰু সেই
ঠাইতে তেওঁলোকে বেশ্যাকৰ্ম কৰিছিল। তেওঁলোকৰ পিয়াহ মোচৰা
হৈছিল আৰু তাত তেওঁলোকৰ জীয়াৰী কালৰ পিয়াহৰ মূৰ টিপা হৈছিল।
৪ তেওঁলোকৰ মাজৰ বৰ জনীৰ নাম অহলা আৰু তাইৰ ভনীয়েকৰ
নাম অহলীবা। তেতিয়া তেওঁলোক মোৰ হ'ল আৰু তেওঁলোকে মোলৈ
পো-জী প্ৰসৱ কৰিলে। তেওঁলোকৰ নামে এই বুজায়: অহলা মানে
চমৰিয়া আৰু অহলীবা মানে যিৰূচালেম। ৫ কিন্তু অহলা মোৰ পত্নী হৈ
থাকোতেও, তাই বেশ্যাকৰ্ম কৰি থাকিল; তাইৰ প্ৰেমকাৰীসকলত
তাই আসক্ত হ'ল, কিয়নো অচূৰ দেশৰ তেওঁলোক প্ৰভাৱশালী, ৬
নীলবস্ত্ৰ পিন্ধা যি ৰাজ্যপাল আৰু তেওঁৰ বিষয়াসকল, সকলোৱেই
মনোহৰ আৰু প্ৰভাৱশালী আছিল আৰু ঘোঁৰাৰ ওপৰত উঠা সকলো
অশ্বাৰোহী আছিল! ৭ সেই কাৰণে তাই তেওঁলোকৰ সৈতে বেশ্যাকৰ্ম
কৰিলে, কিয়নো আটাইবোৰ অচূৰৰ মনোনীত লোক! আৰু তাই
যিবোৰত আসক্ত হ'ল আৰু তেওঁলোকৰ আটাই প্ৰতিমাবোৰৰ দ্বাৰাই
তাই নিজকে অশুচি কৰিলে। ৮ কিয়নো মিচৰত থকা দিনৰে পৰা তাই
নিজৰ বেশ্যালি এৰা নাছিল, যেতিয়া তাইৰ যৌৱন কালত তেওঁলোকে
তাইৰ লগত শয়ন কৰিছিল আৰু তাইৰ জীয়াৰী কালৰ পিয়াহৰ মূৰ
টিপিছিল আৰু যেতিয়া তেওঁলোকে তাইৰ লগত অধিক পৰিমানে
বেশ্যাকৰ্ম কৰিছিল। ৯ এই হেতুকে মই তাইৰ প্ৰেমকাৰীসকলৰ,
তাইৰ সৈতে আসক্ত হোৱা সেই অচূৰীয়াসকলৰ হাতত তাইক শোধাই
দিলোঁ! ১০ তেওঁলোকে তাইৰ উলঙ্গতা প্ৰকাশ কৰিলে। তেওঁলোকে
তাইৰ পো-জীসকলক লৈ গ'ল আৰু তাইক তৰোৱালেৰে বধ কৰিলে
আৰু এইদৰে তাই আন মহিলাসকলৰ মাজত লজ্জিত হ'ল আৰু কিদৰে
দণ্ড ভোগ কৰিলে। ১১ তাইৰ ভনীয়েক অহলীবাই ইয়াক দেখিও,
নিজ কামাসক্তত আৰু নিজ বায়েকৰ বেশ্যালিতকৈ অধিক হোৱা
নিজ বেশ্যাকৰ্মত তাইতকৈ বেছি ভ্ৰষ্টা হ'ল! ১২ অতি জাকজমকৈ
বস্ত্ৰ পিন্ধা দেশাধিপতি আৰু শাসনকৰ্ত্তাসকলত, ঘোঁৰাৰ ওপৰত উঠা
অশ্বাৰোহী তাইৰ ওচৰ-চুবুৰীয়া অচূৰীয়াসকলত তাই আসক্ত হ'ল!
তেওঁলোক সকলোৱেই সবল আৰু মনোহৰ যুৱা আছিল। ১৩ আৰু

মই দেখিলোঁ যে তাই নিজকে অশুচি কৰিলে। দুয়ো জনীয়ে একে
পথ ল'লে। ১৪ তেতিয়া তাই নিজ বেশ্যালি আৰু আধিককৈ বঢ়ালে!
কিয়নো তাই দেৱালত অঁকা পুৰুষসকলক, অৰ্থাৎ সেন্দুৰেৰে অঁকা
কলদীয়াসকলৰ নক্সা দেখিলে, ১৫ তেওঁলোকৰ ককালত টঙালি
বন্ধা আৰু তাৰে সৈতে মূৰত ওলোমি থকা পাগুৰি মৰা! তেওঁলোক
সকলোৱেই দেখিবলৈ সেনাপতি দলৰ নিচিনা, যি বাবিলীয়াসকলৰ
জন্মদেশ যেন দেখা যায়। ১৬ যেতিয়াই তাই তেওঁলোকক দেখিলে,
তাই তেওঁলোকত আসক্ত হ'ল আৰু সেই কাৰণে কলদীয়া দেশলৈ
তেওঁলোকৰ ওচৰলৈ দূত পঠিয়ালে। ১৭ তেতিয়া বাবিলীয়াসকল
তাইৰ ওচৰলৈ আহি প্ৰেমশয্যাত উঠিল আৰু বেশ্যাকৰ্মেৰে তাইক
অশুচি কৰিলে; তাই তেওঁলোকৰ দ্বাৰাই অশুচি হ'ল আৰু তেতিয়া
তাই তাইৰ মনত তেওঁলোকৰ বিৰুদ্ধে ঘিণ লাগিল। ১৮ এইদৰে তাই
নিজৰ বেশ্যালি প্ৰকাশ কৰি নিজৰ বিবস্ত্ৰতা অনাবৃত কৰিলে, তেতিয়া
মোৰ মনত তাইৰ বায়েকলৈ ঘিণ লগা নিচিনাকৈ তাইলৈকো মোৰ
মনত ঘিণ লাগিল! ১৯ তেতিয়া তাই নিজ যৌৱন কাল সোঁৱৰণ কৰিলে
আৰু নিজৰ বেশ্যালি আৰু অধিককৈ বৃদ্ধি কৰিলে, যিদৰে তাই মিচৰ
দেশত থাকোতে বেশ্যাকৰ্ম কৰিছিল! ২০ সেই কাৰণে তাই নিজ
প্ৰেমিকসকলৰ সৈতে আসক্ত হ'ল, যিসকলৰ গাধৰ দৰে জননেন্দ্ৰিয়
বিষয়ক আৰু ঘোঁৰাৰ বীৰ্যৰ নিচিনা বীৰ্য। ২১ তাই আকৌ তাইৰ যৌৱন
কালৰ ব্যভিচাৰ পুনৰায় কৰিবলৈ ধৰিলে, যেতিয়া মিচৰীয়াসকলে
তাইৰ পিয়াহৰ মূৰ টিপিছিল। কাৰণ তাইৰ যৌৱন কালৰ পিয়াহ! ২২
এই হেতুকে, হে অহলীবা, প্ৰভু যিহোৱাই এই কথা কৈছে: 'চোৱা,
মই তোমাৰ প্ৰেমকাৰীসকললৈ তোমাৰ বিৰুদ্ধে কৰিম! যিসকলৰ
পৰা তোমাৰ মনত ঘিণ আছিল, মই তেওঁলোকক তোমাৰ বিৰুদ্ধে
উচটাম, তোমাৰ চাৰিওফালৰ পৰা তোমাৰ বিৰুদ্ধে তেওঁলোকক
আনিম! ২৩ বাবিলীয়া আৰু আটাই কলদীয়াসকল! পকোদ, চোৱা আৰু
কোৱাক! আৰু তেওঁলোকৰ সৈতে আটাই অচূৰীয়াসকলক! সকলোৱেই
প্ৰভাৱশালী মনোহৰ যুৱা! ৰাজ্যপাল আৰু বিষয়াসকল; তেওঁলোক
সেনাপতি আৰু সন্মানিত লোক! তেওঁলোক আটাইবোৰ অশ্বাৰোহী।

২৪ তেওঁলোকে অস্ত্র-শস্ত্র, ৰথ, গাড়ী আৰু বিশাল লোক সকলে সৈতে
তোমাৰ বিৰুদ্ধে আহিব! তেওঁলোকে ফৰ আৰু ঢাল লৈ আৰু শিৰোৰক্ষক
টুপি পিন্ধি তোমাৰ অহিতে চাৰিওফালে বেহু পাতিব! মই তেওঁলোকৰ
হাতত বিচাৰভাৰ সমৰ্পণ কৰিম; তেতিয়া তেওঁলোকে তেওঁলোকৰ
বিচাৰ অনুসাৰে তোমাৰ বিচাৰ কৰিব! ২৫ আৰু মই তোমাৰ বিৰুদ্ধে
মোৰ অন্তৰ্জ্বালা প্ৰজ্বলিত কৰিম আৰু তেতিয়া তেওঁলোকে তোমালৈ
ক্ৰোধ কৰিব! তেওঁলোকে তোমাৰ নাক আৰু কাণ কাটিব আৰু তোমাৰ
অৱশিষ্ট ভাগ তৰোৱালৰ দ্বাৰাই পতিত হ'ব! তেওঁলোকে তোমাৰ
পো-জীবোৰক লৈ যাব, যাতে তোমাৰ অৱশিষ্ট বংশ জুইত পোৰা
হ'ব। ২৬ তেওঁলোকে তোমাক উলঙ্গও কৰিব আৰু তোমাৰ সুন্দৰ
সুন্দৰ অলঙ্কাৰবোৰ নিব। ২৭ এইদৰে মই তোমাৰ পৰা তোমাৰ
ব্যভিচাৰ আৰু মিচৰ দেশত অভ্যাস কৰা তোমাৰ বেশ্যালি নোহোৱা
কৰিম। তুমি তেওঁলোকলৈ আৰু চকু তুলি হেঁপাহেৰে নাচাবা আৰু
মিচৰলৈ কেতিয়াও সোঁৱৰণ নকৰিবা।' ২৮ কিয়নো প্ৰভু যিহোৱাই
এই কথা কৈছে, 'চোৱা! যিবোৰলৈ তোমাৰ মনত ঘিণ আছিল, তুমি
হিংসা কৰাবোৰৰ হাতত, মই তোমাক সেইসকলৰ হাতত শোধাই
দিম। ২৯ তেওঁলোকে তোমাক ঘিণ কৰিব; তোমাৰ সকলো পৰিশ্ৰমৰ
ফল নিব আৰু তোমাক উলঙ্গিনী আৰু বিবস্ত্ৰতা কৰি এৰিব। তেতিয়া
তোমাৰ বেশ্যাকৰ্মৰ দ্বাৰাই হোৱা বিবস্ত্ৰতা, তোমাৰ ব্যভিচাৰ আৰু
বেশ্যা-কাৰ্য্য প্ৰকাশ পাব! ৩০ তুমি বেশ্যাহৈ জাতি সমূহৰ পাছে
পাছে যোৱাৰ কাৰণে, আৰু তুমি তেওঁলোকৈ প্ৰতিমাবোৰেৰে কলঙ্কিত
হোৱাৰ কাৰণে এইবোৰ কাৰ্য তোমালৈ কৰা যাব। ৩১ তুমি তোমাৰ
বায়েৰাৰ পথত গমন কৰিলা; এই হেতুকে মই তাইৰ পানপাত্ৰ তোমাৰ
হাতত দিম।' ৩২ প্ৰভু যিহোৱাই এই কথা কৈছে: 'তুমি তোমাৰ
বায়েৰাৰ দ আৰু বহল পানপাত্ৰত পান কৰিবা; তুমি পৰিহাসৰ আৰু
বিদ্ৰুপৰ বিষয় হ'বা - সেই পান পাত্ৰত বহুত ধৰে! ৩৩ তুমি মাতলামি
আৰু দুখেৰে পৰিপূৰ্ণ হ'বা; সেয়ে তোমাৰ বায়েৰা চমৰিয়াৰ বিস্ময়
আৰু ধ্বংসজনক পানপাত্ৰ! ৩৪ তুমি তাত পান কৰিবা আৰু চুঁচি শেষ
কৰি খাবা; তাৰ পাছত খোলাবোৰ চোবাবা আৰু নিজ স্তন বিদাৰিবা।

কিয়নো প্ৰভু যিহোৱাই ইয়াক ঘোষণা কৰিছে!' এয়ে প্ৰভু যিহোৱাৰ
ঘোষণা!। ৩৫ এই হেতুকে, প্ৰভু যিহোৱাই এই কথা কৈছে, 'কিয়নো
তুমি মোক পাহৰিলা, আৰু মোক পাছফাললৈ পেলালা; এই কাৰণে
তুমিও তোমাৰ ব্যভিচাৰ আৰু বেশ্যাকৰ্মৰ ফল ভোগ কৰিবা'।" ৩৬
যিহোৱাই মোক ক'লে "হে মনুষ্য সন্তান, তুমি অহলা আৰু অহলীবাৰ
ওপৰত গোচৰ কৰিবা নে? তেন্তে তেওঁলোকৰ ঘিণলগীয়া কাৰ্যবোৰ
তেওঁলোকক সোঁৱৰা। ৩৭ কিয়নো তেওঁলোকে ব্যভিচাৰ কৰিলে,
আৰু তেওঁলোকৰ হাতত তেজ লাগি আছে; তেওঁলোকে তেওঁলোকৰ
প্ৰতিমাবোৰে সৈতে ব্যভিচাৰ কৰিলে আৰু তেওঁলোকে মোৰ কাৰণে
প্ৰসৱ কৰা তেওঁলোকৰ সন্তান সকলক গ্ৰাসিত হ'বলৈ সেইবোৰৰ
উদ্দেশ্যে জুইৰ মাজেদি সিহঁতক গমনো কৰালে! ৩৮ তেওঁলোকে
মোলৈ এইটোও কৰি থাকিলে: তেওঁলোকে মোৰ ধৰ্মধাম অশুচি
কৰিলে আৰু মোৰ বিশ্ৰাম-দিনবোৰ সেই দিনাই অপবিত্ৰ কৰিলে।
৩৯ কিয়নো, তেওঁলোকে তেওঁলোকৰ প্ৰতিমা বোৰৰ উদ্দেশ্যে নিজ
নিজ সন্তান সকলক বধ কৰাৰ পাছত, সেই দিনাই মোৰ ধৰ্মধামলৈ
আহি তাক অপবিত্ৰ কৰিলে! সেই বাবে চোৱা! মোৰ গৃহৰ মাজতে
তেওঁলোকে কি প্ৰকাৰ কৰিলে! ৪০ তোমালোক দূৰৰ পৰা মানুহক
আহিবলৈ মাতিলা, যিসকললৈ এজন দূত পঠোৱা হৈছিল - আৰু চোৱা!
তেওঁলোক সঁচাকৈ আহিল; যিসকলৰ কাৰণে তুমি গা ধুলা, তোমাৰ
চকুত কাজল দিলা আৰু অলঙ্কাৰেৰে নিজকে বিভূষিতা কৰিলা। ৪১
আৰু তুমি ৰাজকীয় শয্যাত বহিলা আৰু তাৰ আগত এখন মেজ
সজোৱাত তাৰ ওপৰত তুমি মোৰ ধুপ আৰু মোৰ তেল থ'লা। ৪২
আৰু নিশ্চিন্তে থকা লোক সকলৰ কোলাহল তাইৰ তাত শুনা গ'ল
আৰু সামান্য শ্ৰেণীৰ মানুহবোৰৰ লগত মৰুপ্ৰান্তৰ পৰা মতোৱালবোৰ
অনা হ'ল তেওঁলোকে তোমালোক দুজনীৰ হাতত খাৰু আৰু মূৰত
সুন্দৰ মুকুট পিন্ধাই দিলে। ৪৩ তেতিয়া ব্যভিচাৰত বুঢ়ী হোৱাজনীৰ
বিষয়ে মই কলোঁ, 'তেওঁলোকে তাইৰ লগত আৰু তাই তেওঁলোকৰ
লগত এতিয়া বেশ্যাকৰ্ম কৰিব।' ৪৪ পাছত পুৰুষবোৰে বেশ্যাত
গমন কৰা নিচিনাকৈ তেওঁলোকে তেওঁলোকৰ লগত গমন কৰিলে;

এইদৰে তেওঁলোকে সেই দোষী ব্যভিচাৰিণী মহিলা অহলা আৰু
অহলীবাত গমন কৰিলে! ৪৫ কিন্তু ধাৰ্মিকসকলে ব্যভিচাৰিণীক আৰু
ৰক্তপাতকাৰিণীক দণ্ড দিয়াৰ দৰে সিহঁত দুজনীক দণ্ড দিব, কিয়নো
তেওঁলোক ব্যভিচাৰিণী; আৰু তেওঁলোকৰ হাতত তেজ লাগি আছে।
৪৬ সেই কাৰণে প্ৰভু যিহোৱাই এই কথা কৈছে: মই তেওঁলোকৰ
বিৰুদ্ধে সমাজক আনিম আৰু মই তেওঁলোকক ত্ৰাসৰ বিষয় আৰু
লুটদ্ৰব্যস্বৰূপ হ'বলৈ দিম; ৪৭ তেতিয়া সেই সমাজে তেওঁলোকলৈ শিল
দলিয়াব আৰু নিজ নিজ তৰোৱালেৰে তেওঁলোকক ডোখৰ ডোখৰ
কৰিব। তেওঁলোকে তেওঁলোকৰ পো-জীবোৰক বধ কৰিব, আৰু জুই
লগাই তেওঁলোকৰ ঘৰবোৰ পুৰি পেলাব। ৪৮ এইদৰে মই দেশৰ পৰা
ব্যভিচাৰ দূৰ কৰিম আৰু সকলো মহিলাক তোমালোকৰ ব্যভিচাৰ
মতে কাৰ্য কৰিবলৈ নিশিকিব। ৪৯ তেতিয়া তেওঁলোকে তোমালোকৰ
ব্যভিচাৰৰ বোজা তোমালোকৰ ওপৰত ৰাখিব আৰু তোমালোকে
তোমালোকৰ প্ৰতিমাসম্বন্ধীয় পাপৰ ভাৰ ববা; তেতিয়া মই যে প্ৰভু
যিহোৱা, সেই বিষয়ে তোমালোকে জানিবা।

**২৪** পুনৰায় আমাৰ নিৰ্বাসনৰ নৱম বছৰৰ দশম মাহৰ দশম দিনা
যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল আৰু ক'লে, ২ "হে মনুষ্য সন্তান,
তুমি নিজেই লিখা, এই দিনৰেই নাম লিখা; আজি এই দিনটোতেই
বাবিলৰ ৰজাই যিৰূচালেম আক্ৰমণ কৰিছে। ৩ তুমি সেই বিদ্ৰোহী
বংশৰ আগত দৃষ্টান্ত দি তেওঁলোকক কোৱা, 'প্ৰভু যিহোৱাই এই কথা
কৈছে: তুমি ৰন্ধন টৌটো বহোৱা! ঠিক ঠাইত বহোৱা! আৰু তাত
পানী বাকি দিয়া! ৪ তাত দিব লগীয়া ডোখৰবোৰ, পাছ-পিৰা, আগ-
পিৰা আদি উত্তম উত্তম ডোখৰবোৰ তাৰ মাজত গোটাই দিয়া; উত্তম
হাড়বোৰেৰে তাক পূৰ কৰা! ৫ জাকৰ মাজৰ উত্তম মেৰবোৰ লোৱা
আৰু টৌটোৰ তলত হাড়বোৰো দমোৱা; তাক ভালকৈ উতলোৱা,
এনে কি, তাৰ মাজত থকা হাড়বোৰ সিজক। ৬ এই হেতুকে প্ৰভু
যিহোৱাই কৈছে: কঁহে ধৰা আৰু কঁহ নুগুচা টৌৰূপ ৰক্তপাতকাৰিণী
নগৰীৰ সন্তাপ হ'ব; তুমি চিঠি নেখেলোৱাকৈ এডোখৰ এডোখৰকৈ
তাৰ সকলোকে উলিওৱা। ৭ কিয়নো তাই কৰা ৰক্তপাত তাইৰ মাজত

আছে! তাই শুদা শিলৰ ওপৰত তাক ৰাখিছে; তাই ধূলিৰে ঢাকি
ৰাখিবৰ কাৰণে মাটিৰ ওপৰত তাক ঢলা নাই, ৮ যেন প্ৰতিকাৰ
সাধিবৰ অৰ্থে ক্ৰোধ তোলো! তাই উলিওৱা ৰক্ত ঢাক নাখাবৰ বাবে
মই তাক শুদা শিলত ৰাখিলোঁ! ৯ এই হেতুকে প্ৰভু যিহোৱাই এই কথা
কৈছে: ৰক্তপাতকাৰিণী নগৰীৰ সন্তাপ হ'ব; ময়ো দমটো ডাঙৰ কৰি
দিম! ১০ খৰি দমোৱা! জুই বৰকৈ জ্বলোৱা! মাংস ভালকৈ সিজোৱা,
জোল সুস্বাদু হব'লৈ চুৰুহা ডাঠ কৰা! আৰু হাড়বোৰ ভালদৰে পুৰিবলৈ
দিয়া! ১১ তাৰ পিছত টৌটো গৰম হ'বলৈ আৰু তাৰ পিতল পুৰিবলৈ,
তাৰ মল তাত গলিবলৈ আৰু তাৰ কঁহ গুচিবলৈ তাৰ আঙঠাৰ ওপৰত
তাক খালীকৈ বহোৱা!' ১২ সেয়ে মোক পৰিশ্ৰমেৰে ক্লান্ত কৰিলে,
তথাপি তাৰ বৰ কঁহ তাৰ পৰা নুগুচে; সেয়ে তাক জুইত দিব লাগে।
১৩ তোমাৰ অশুচিতাত লজ্জাজনক আচৰণবোৰ আছে, কাৰণ মই
তাক শুচি কৰিলোঁ, কিন্তু তোমাক শুচি কৰিবলৈ যত্ন কৰিলেও তুমি
শুচি নোহোৱা। এই কাৰণে মই তোমাৰ ওপৰত মোৰ ক্ৰোধ মাৰ
নিনিয়ালৈকে তুমি তোমাৰ অশুচিতাৰ পৰা আৰু শুচি নহ'বা। ১৪ মই,
যিহোৱায়ে ইয়াক কলোঁ যে এয়ে ঘটিব আৰু মই ইয়াক সিদ্ধ কৰিম!
মই দয়া নকৰিম আনকি ক্ষান্তও নহ'ম। তোমাৰ আচৰণ আৰু কাৰ্য
অনুসাৰে তোমাক দণ্ড দিয়া হ'ব!" এইয়াই প্ৰভু যিহোৱাৰ ঘোষণা। ১৫
তেতিয়া যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল আৰু ক'লে, ১৬ "হে
মনুষ্য সন্তান, চোৱা! মই আঘাতেৰে তোমাৰ চকুৰ তৃপ্তিজনক বস্তু
তোমাৰ পৰা দূৰ কৰিম; তথাপিও তুমি বিলাপ কি ক্ৰন্দন নকৰিবা
আৰু তোমাৰ চকুলো বৈ নাযাওক। ১৭ তুমি নিৰৱে হুমুনিয়াহ পেলাবা।
মৃত লোকৰ বাবে শোক নকৰিবা। তোমাৰ মূৰত পাগুৰি বান্ধা আৰু
ভৰিত জোতা পিন্ধা, তোমাৰ মুখমণ্ডল নাঢাকিবা আৰু পত্নীসকলক
হেৰোৱাই শোক কৰা লোকসকলে দিয়া পিঠা নাখাবা।" ১৮ গতিকে
ৰাতিপুৱা মই লোকসকলক এইদৰে কলোঁ আৰু গধূলি মোৰ ভাৰ্য্যাৰ
মৃত্যু হ'ল। আৰু আজ্ঞা পোৱাৰ দৰে মই ৰাতিপুৱা সেইদৰে কৰিলোঁ।
১৯ লোকসকলে মোক প্ৰশ্ন কৰিলে, "তুমি যে এইবোৰ কৰি আছা,
এইবোৰৰ অৰ্থ কি? তাক তুমি আমাক নক'বা নে?" ২০ তেতিয়া

মই তেওঁলোকক ক'লোঁ, "যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল আৰু
ক'লে, ২১ 'তুমি ইস্রায়েল বংশক কোৱা, প্রভু যিহোৱাই এই কথা
কৈছে: চোৱা! তোমালোকৰ বলদায়ক অহঙ্কাৰৰ স্থল, তোমালোকৰ
চকুৰ তৃপ্তিজনক আৰু তোমালোকৰ প্ৰাণৰ আকাঙ্ক্ষিত বস্তু যি মোৰ
ধৰ্ম–ধাম, তাক অপবিত্র কৰি আছো! সেয়ে তোমালোকে এৰি যোৱা
তোমালোকৰ পো-জীসকল তৰোৱালৰ দ্বাৰাই পতিত হ'ব। ২২ তেতিয়া
মই কৰাৰ দৰে তোমালোকেও কৰিবা: তোমালোকে তোমালোকৰ ওঁঠ
নাঢাকিবা বা শোক কৰি থকা লোকসকলে দিয়া পিঠা নাখাবা! ২৩
বৰং, তোমালোকৰ পাগুৰি তোমালোকৰ মূৰত আৰু তোমালোকৰ
জোতা তোমালোকৰ ভৰিত থাকিব; তোমালোকে বিলাপ কি ক্ৰন্দন
নকৰিবা, কিন্তু নিজ নিজ অপৰাধত ক্ষীণ হৈ যাবা আৰু এজনে আন
জনৰ আগত কেঁকাবা। ২৪ এইদৰে যিহিস্কেল তোমালোকৰ চিনস্বৰূপ
হ'ব; তেওঁ কৰা আটাই কাৰ্য অনুসাৰে তোমালোকেও কৰিবা। এয়ে
যেতিয়া ঘটিব, তেতিয়া, মই যে প্রভু যিহোৱা, তাক তোমালোকে
জানিবা'!" ২৫ "কিন্তু তুমি, হে মনুষ্য সন্তান, যি দিনা মই তোমালোকৰ
বল, তেওঁলোকৰ আনন্দদায়ক গৌৰৱৰ স্থল, তেওঁলোকৰ চকুৰ
তৃপ্তিজনক আৰু মনৰ অভিলাষিত বস্তু আৰু তেওঁলোকৰ পো-জীসকলক
তেওঁলোকৰ পৰা দূৰ কৰিম - ২৬ সেই দিনাখন পলাই ৰক্ষা পোৱা
এজন লোকে সেই কথা তোমাৰ কাণত পেলাবলৈ তোমাৰ ওচৰলৈ
আহিব! ২৭ সেই দিনাখনত পলাই ৰক্ষা পোৱাজনৰ আগত তোমাৰ
মুখ মুকলি হ'ব - তেতিয়া তুমি আৰু নিৰৱে নাথাকিবা। তুমি আৰু
বোবা নহ'বা। এইদৰে তুমি তেওঁলোকৰ আগত চিনস্বৰূপ হ'বা আৰু
মই যে যিহোৱা, তাক তেওঁলোকে জানিব!"

**২৫** তেতিয়া যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল আৰু ক'লে,
২ "হে মনুষ্য সন্তান, তুমি অম্মোনৰ সন্তান সকলৰ ফালে মুখ কৰি
তেওঁলোকৰ বিৰুদ্ধে ভাববাণী প্রচাৰ কৰা। ৩ তুমি অম্মোনৰ সন্তান
সকলক কোৱা, 'তোমালোকে প্রভু যিহোৱাৰ বাক্য শুনা। প্রভু যিহোৱাই
এই কথা ঘোষণা কৰিছে: মোৰ ধৰ্মধাম যেতিয়া অপবিত্র হৈছিল
তেতিয়া তাৰ অহিতে আৰু ইস্রায়েল-ভূমি ধ্বংস হোৱাত তাৰ অহিতে

আৰু যিহূদা বংশ দেশান্তৰলৈ যোৱাৰ সময়ত সেই বংশৰ অহিতে
“ভাল হৈছে!” এইবুলি তোমালোকে কৈছিলা। ৪ এই হেতুকে চোৱা!
অধিকাৰৰ অৰ্থে মই তোমাক পূৱদেশীয় লোকসকলৰ হাতত শোধাই
দিম; তেওঁলোকে তোমাৰ মাজত নিজ নিজ ছাউনি পাতিব আৰু
তোমাৰ মাজত নিজৰ নিজৰ বসতিস্থান কৰিব। তেওঁলোকে তোমাৰ
ফল খাব আৰু তোমাৰ গাখীৰ পান কৰিব। ৫ আৰু মই ৰব্বাক উটৰ
শাল বনাম আৰু অম্মোনৰ লোকসকলৰ দেশখন মেৰ শোৱা গঁৰাল
কৰিম, তাতে, মই যে, যিহোৱা তাক তোমালোকে জানিবা! ৬ কিয়নো
প্ৰভু যিহোৱাই এই কথা কৈছে: তুমি হাত তালি দিলা, মাটিত ভৰি
মাৰিলা আৰু ইস্ৰায়েল দেশৰ অহিতে তোমাৰ প্ৰাণ জুৰাই হিংসাৰে
আনন্দ কৰিলা। ৭ এই হেতুকে চোৱা! মই তোমাৰ বিৰুদ্ধে মোৰ হাত
মেলি জাতিবোৰৰ গুৰিত লুটদ্ৰব্যস্বৰূপে তোমাক শোধাই দিম। মই
জাতিবোৰৰ পৰা তোমাক উচ্ছন্ন কৰিম আৰু দেশবোৰৰ মাজৰ পৰা
তোমাক লুপ্ত কৰিম! দেশখনৰ পৰা মই তোমাক বিনষ্ট কৰিম, আৰু
মই যে যিহোৱা, ইয়াকে তুমি জানিবা'!” ৮ প্ৰভু যিহোৱাই এই কথা
কৈছে: “চোৱা! যিহূদা-বংশ আন সকলো জাতিৰ দৰেই হ'ল!” ৯
এই হেতুকে চোৱা! নগৰ কেইখনৰ পোনে, বৈৎ-যিচীমোৎ, বাল-
মিয়োন আৰু কিৰিয়াথয়িম, দেশৰ গৌৰৱ স্বৰূপ মোৱাবৰ সীমাত থকা
তাৰ এই নগৰ কেইখনৰ পোনে, ১০ অম্মোনৰ লোকসকলৰ অহিতে
যিসকললৈ পূৱদেশীয় সন্তান সকলৰ বাবে মই মোৱাবৰ দাঁতিত
বাট উলিয়াম, আৰু অম্মোনৰ লোকসকলক জাতিবোৰৰ সোঁৱৰণত
নাথাকিবৰ বাবে মই অধিকাৰৰ অৰ্থে সেইবোৰ তেওঁলোকক দিম।
১১ আৰু মই মোৱাবক দণ্ড দিম, তেতিয়া মই যে যিহোৱা, ইয়াক
তেওঁলোকে জানিব। ১২ প্ৰভু যিহোৱাই এই কথা কৈছে: “ইদোমে
প্ৰতিকাৰ সাধিবৰ মনেৰে যিহূদা-বংশৰ অহিতে কাৰ্য কৰিলে আৰু
তেওঁলোকৰ প্ৰতিকাৰ সাধি অতিশয় দোষ কৰিলে।” ১৩ সেইবাবে,
প্ৰভু যিহোৱাই এই কথা কৈছে: “মই ইদোমৰ অহিতে মোৰ হাত মেলি
তাৰ পৰা মানুহ আৰু পশু সকলোকে উচ্ছন্ন কৰিম। আৰু তৈমনৰে পৰা
মই তাক ধ্বংসস্থান কৰিম, দদানলৈকে তেওঁলোক তৰোৱালৰ দ্বাৰাই

পতিত হ'ব। ১৪ মোৰ প্ৰজা ইস্ৰায়েলৰ দ্বাৰাই মই ইদোমৰ ওপৰত
মোৰ প্ৰতিকাৰ সাধিম আৰু তেওঁলোকে মোৰ ক্ৰোধ ও কোপ অনুসাৰে
ইদোমত কাৰ্য কৰিব! তেতিয়া, তেওঁলোকে মোৰ প্ৰতিশোধ বুজি
পাব!" এয়েই হৈছে প্ৰভু যিহোৱাৰ ঘোষণা! ১৫ প্ৰভু যিহোৱাই এই
কথা কৈছে: "পলেষ্টীয়াসকলে প্ৰতিকাৰ সাধিবৰ মনেৰে কাৰ্য কৰিলে,
আৰু চিৰস্থায়ী শত্ৰুতাৰে বিনষ্ট কৰিবলৈ মনৰ হিংসাৰে প্ৰতিশোধ
ল'লে।" ১৬ এই কাৰণে প্ৰভু যিহোৱাই এই কথা কৈছে: চোৱা! মই
পলেষ্টীয়াসকলৰ অহিতে মোৰ হাত মেলি কৰেথীয়াসকলক উচ্ছন্ন
কৰিম আৰু সমুদ্ৰৰ কাষত থকা অৱশিষ্ট ভাগক সংহাৰ কৰিম! ১৭
আৰু কোপযুক্ত নানা ধমকি দি মই তেওঁলোকৰ ওপৰত মহা প্ৰতিকাৰ
সাধিম; আৰু মই তেওঁলোকৰ ওপৰত প্ৰতিকাৰ সাধিলে, মই যে
যিহোৱা, ইয়াক তেওঁলোকে জানিব!

**২৬** পিছত আমাৰ নিৰ্বাসনৰ একাদশ বছৰত মাহৰ প্ৰথম দিনা
যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল আৰু ক'লে, ২ "হে মনুষ্য সন্তান,
তূৰে যিৰূচালেমৰ অহিতে ক'লে, 'ভাল হৈছে! লোকসকলৰ দুৱাৰবোৰ
ভগ্ন হ'ল! সেয়ে মোলৈ মুকলি হ'ল; সেই নগৰ নষ্ট হোৱাৰ কাৰণে মই
পৰিপূৰ্ণ হ'ম!' ৩ এই হেতুকে প্ৰভু যিহোৱাই এই কথা কৈছে: 'হে
তূৰ, চোৱা! মই তোমাৰ বিপক্ষ; সমুদ্ৰই নিজৰ ঢৌৰে উটুওৱাদি মই
তোমাৰ বিৰুদ্ধে অনেক জাতিক তুলিম! ৪ তেওঁলোকে তূৰৰ গড়বোৰ
নষ্ট কৰিব আৰু তাৰ ওখ ঘৰবোৰ ভাঙি পেলাব। আৰু মই তাৰ পৰা
ধূলি পৰিষ্কাৰ কৰি পেলাই তাক শুদা শিলত পৰিণত কৰিম। ৫ সেই
নগৰ সমুদ্ৰৰ মাজত জাল মেলি দিয়া ঠাই হ'ব; কিয়নো প্ৰভু যিহোৱাই
কৈছে, মই ইয়াক ক'লো, আৰু নগৰ জাতিবোৰলৈ লুটদ্ৰব্যস্বৰূপ হ'ব।
৬ আৰু গাৰেঁভূঁয়ে থকা তাৰ জীয়াৰীসকলক তৰোৱালেৰে বধ কৰা
হ'ব; তাতে মই যে যিহোৱা তাক তেওঁলোকে জানিব। ৭ কিয়নো প্ৰভু
যিহোৱাই এই কথা কৈছে: চোৱা! ঘোঁৰা, ৰথ, অশ্বাৰোহী, সৈন্যদল
আৰু অনেক লোকে সৈতে উত্তৰৰ পৰা মই ৰাজাধিৰাজ বাবিলৰ
ৰজা নবূখদনেচৰক তূৰৰ বিৰুদ্ধে আনিম! ৮ তেওঁ গাৰেঁভূঁয়ে থকা
তোমাৰ জীসকলক তৰোৱালেৰে বধ কৰিব, তোমাৰ অহিতে কোঁঠ

সাজিব। তোমাৰ বিৰুদ্ধে হাদাম বান্ধিব আৰু তোমাৰ অহিতে ঢাল
পাতিব! ৯ আৰু তেওঁ তোমাৰ গড়ৰ অহিতে গড় ভঙা যন্ত্ৰ স্থাপন
কৰিব আৰু কুঠাৰেৰে তোমাৰ ওখ ঘৰবোৰ ভাঙিব! ১০ তেওঁৰ অধিক
ঘোঁৰাবোৰেৰে সৈতে তোমাক সেইবোৰৰ ধুলিয়ে ঢাকিব! মানুহে গড়
ভাঙি নগৰত সোমোৱাদি তেওঁ তোমাৰ নগৰৰ দুৱাৰত সোমোৱা
কালত অশ্বাৰোহী, গাড়ী আৰু ৰথৰ শব্দত তোমাৰ গড়বোৰ লৰিব। ১১
তেওঁ নিজৰ ঘোঁৰাবোৰৰ খোৰাৰে তোমাৰ আটাইবোৰ আলি গচকিব;
তেওঁ তৰোৱালেৰে তোমাৰ প্ৰজাসকলক বধ কৰিব, আৰু তোমাৰ
শক্তিশালী স্তম্ভবোৰ মাটিৰ লগত সমান হ'ব। ১২ শত্ৰুবোৰে তোমাৰ
সম্পত্তি লুট কৰিব আৰু তোমাৰ বাণিজ্যদ্ৰব্য কাঢ়ি নিব! তেওঁলোকে
তোমাৰ গড় ভাঙি পেলাব, তোমাৰ মনোহৰ ঘৰবোৰ বিনষ্ট কৰিব,
আৰু তোমাৰ শিল, কাঠ, ধূলি জল সমূহৰ মাজত পেলাব। ১৩ মই
তোমাৰ গীতৰ শব্দ নাইকিয়া কৰিম; তোমাৰ বীণাৰ স্বৰ আৰু শুনা
নাযাব। ১৪ আৰু মই তোমাক শুদা শিলত পৰিণত কৰিম; তুমি জাল
মেলা ঠাই হ'বা; তোমাক আৰু সজা নাযাব'!" কিয়নো প্ৰভু যিহোৱাই
কৈছে, মই যিহোৱাই ইয়াকে ক'লোঁ! ১৫ "প্ৰভু যিহোৱাই তূৰক এইদৰে
কৈছে: যেতিয়া খুন হোৱাবোৰে কেঁকাব, যেতিয়া তোমাৰ মাজত হত্যা
হ'ব, তেতিয়া তোমাৰ পতনৰ শব্দত দ্বীপবোৰ নকঁপিব নে? ১৬ সেই
সময়ত সমুদ্ৰৰ আটাই অধিপতিয়ে নিজৰ নিজৰ সিংহাসনৰ পৰা নামি
নিজ নিজ ৰাজবস্ত্ৰ ত্যাগ কৰিব, নিজ নিজ কাৰচিপি বন কৰা কাপোৰ,
সোলোকাই পেলাব, ত্ৰাসৰূপ বস্ত্ৰ পিন্ধিব, মাটিত বহিব, বিস্ময় মানিব।
১৭ আৰু তেওঁলোক তোমাৰ অৰ্থে বিলাপ কৰিবলৈ ধৰি তোমাক
ক'ব, যি নগৰীয়ে সাগৰ-নিবাসীসকলত নিজৰ ভয় লগাইছিল, সমুদ্ৰ-
ব্যৱসায়ী নিজ নিবাসীসকলে সৈতে সমুদ্ৰত পৰাক্ৰমী আৰু বিখ্যাত
সেই নগৰী যি তুমি, কেনে বিনষ্ট থ'লো! ১৮ তোমাৰ পতনৰ দিনত
দ্বীপবোৰ কঁপিব, এনে কি তুমি লুপ্ত বোৱাত সমুদ্ৰত থকা দ্বীপবোৰ
বিহ্বল হ'ব। ১৯ কিয়নো প্ৰভু যিহোৱাই এই কথা কৈছে: নিবাসীশূণ্য
নগৰবোৰৰ দৰে যেতিয়া মই তোমাক উচ্ছন্ন নগৰী কৰিম, যেতিয়া
মই তোমাৰ ওপৰলৈ অগাধ জল সমূহ আনিম, আৰু মহাজল সমূহে

তোমাক ঢাকিব, ২০ তেতিয়া তুমি বাসস্থান নহ’বৰ বাবে, মই তোমাক
গাতলৈ নমাসকলৰ সৈতে আগৰ কালৰ লোকসকলৰ ওচৰলৈ নমাম
আৰু পৃথিৱীৰ তল ভাগত, আগৰ কালৰ পৰা উচ্ছন্ন হোৱা ঠাইবোৰত,
গাতলৈ নামিব লগাবোৰৰ লগত বাস কৰাম, আৰু মই জীৱিত লোকৰ
দেশত গৌৰৱৰ স্থাপন কৰিম। ২১ মই তোমাক ত্ৰাসৰ বিষয় কৰিম;
তুমি আৰু নহ’বা; তোমাক বিচাৰিলেও আৰু কেতিয়াও পোৱা নাযাব।”
এয়ে প্ৰভু যিহোৱাৰ বচন!

**২৭** যিহোৱাৰ বাক্য মোৰ ওচৰলৈ পুনৰায় আহিল, আৰু ক’লে, ২
“হে মনুষ্য সন্তান, তুমি তূৰৰ বিষয়ে বিলাপ আৰম্ভ কৰা, ৩ আৰু তূৰক
কোৱা, ‘তোমালোক যিসকল সাগৰৰ প্ৰৱেশস্থানত-নিবাস কৰা অনেক
দ্বীপত থকা বাণিজ্যকাৰিণীসকলক কোৱা বোলে, প্ৰভু যিহোৱাই
এই কথা কৈছে: হে তূৰ! তুমি কৈছিলা “মই পৰম সুন্দৰী’!” ৪
তোমাৰ সীমাৰ ভিতৰৰ ঠাইখন গভীৰ সমুদ্ৰৰ মাজত আছিল; তোমাৰ
নিৰ্ম্মাণকাৰীবোৰে তোমাৰ সৌন্দৰ্য্য সম্পূৰ্ণ কৰিছিল। ৫ তেওঁলোকে
চনীৰৰ পৰা অনা দেৱদাৰু কাঠেৰে তোমাৰ সকলো তক্তা বনাইছিল;
তেওঁলোকে তোমাৰ কাৰণে এডাল মাস্তুল কৰিবলৈ লিবানোনৰ পৰা
এৰচ কাঠ আনিছিল। ৬ তেওঁলোকে বাচান দেশীয় এলোন কাঠেৰে
তোমাৰ বঠাবোৰ তৈয়াৰ কৰিছিল; তেওঁলোকে কিত্তীম দ্বীপবোৰৰ পৰা
অনা তাচুৰ কাঠবোৰ আনিছিল আৰু তাতে তেওঁলোকে তাৰ ওপৰত
হাতীৰ দাঁতেদি শায়িত কৰি তোমাৰ বঠা বাওঁতাবোৰৰ আসনবোৰ
সাজিছিল। ৭ তোমালৈ নিচানস্বৰূপ হ’বৰ কাৰণে, তোমাৰ নাৱৰ
পালবোৰ মিচৰ দেশৰ পৰা অনা কাৰচিপি বন কৰা মিহি শণ সূতাৰ
ৰং কৰা হৈছিল! তোমাৰ চন্দ্ৰতাপ ইলীচা দ্বীপবোৰৰ পৰা অনা নীল
আৰু বেঙেনা বৰণীয়া সূতাৰে বনোৱা হৈছিল। ৮ যি লোকসকল
চীদোন আৰু অৰ্বদত বাস কৰি আছিল, তেওঁলোক তোমাৰ বঠা বাওঁতা
আছিল; হে তূৰ, তোমাৰ জ্ঞানী লোকসকল তোমাৰ মাজত আছিল
আৰু তোমাৰ পথ প্ৰদৰ্শক আছিল। ৯ গবলৰ বিশেষ অভিজ্ঞতা থকা
কাৰিকৰবোৰে তোমাৰ জাহাজবোৰক মেৰামতি কৰিছিল; তোমাৰ
বাণিজ্য-দ্ৰব্য বেহা-বেপাৰ কৰিবলৈ সমুদ্ৰৰ আটাই জাহাজবোৰ আৰু

সেইবোৰৰ নাৱিকবোৰ তোমাৰ মাজত আছিল! ১০ পাৰস্য, লুদ আৰু
পূটদেশীয় লোক তোমাৰ সৈন্য-সামন্ত আছিল, তেওঁলোক তোমাৰ
ৰণুৱা! তেওঁলোকে তোমাৰ মাজত ঢাল আৰু শিৰোৰক্ষক টুপী আৰি
থৈছিল; তেওঁলোকে তোমাক সুশোভিতা কৰিছিল! ১১ তোমাৰ সৈন্য-
সামন্তেৰ অৰ্বদ আৰু সেলেখৰ লোকসকল তোমালোকক চাৰিওফালে
তোমাৰ গড়বোৰৰ ওপৰত আছিল, আৰু গম্মদীয়া লোকসকল তোমাৰ
দুৰ্গবোৰত আছিল! তেওঁলোকে চাৰিওফালে তোমাৰ গড়ৰ ওপৰত
নিজ নিজ ঢাল আৰি থৈছিল! তেওঁলোকে তোমাৰ সৌন্দৰ্য্য সম্পূৰ্ণ
কৰিছিল! ১২ তোমাৰ সকলো প্ৰকাৰৰ ধন-ঐশ্বৰ্য্যৰ কাৰণে তৰ্চীচ
তোমাৰ গ্ৰাহক আছিল: তেওঁলোকে ৰূপ, লোহা, বগীতাম আৰু সীহ
আনি সেইবোৰৰ বেপাৰ কৰিছিল! ১৩ যাবন, তুবল আৰু মেচেক-
তেওঁলোক তোমাৰ বেপাৰী আছিল; তেওঁলোকে মানুহ আৰু পিতলৰ
পাত্ৰ দি তোমাৰ বাণিজ্য-দ্ৰব্যৰ সৈতে বেপাৰ কৰিছিল। ১৪ তোগৰ্মা
বংশীয় লোকসকলে ঘোঁৰা, যুদ্ধাৰু ঘোঁৰা আৰু খছৰ দি তোমাৰ বয়-
বস্তুবোৰ লৈছিল। ১৫ দদানৰ লোকসকলেও তোমাৰ বেপাৰী আছিল।
অনেক দ্বীপ তোমাৰ অধীনৰ বজাৰ আছিল। তেওঁলোকে শিঙৰ
আকৃতিৰ হাতী-দাঁত আৰু অবলুচ কাঠ তোমালোকৰ লগত সলনি
কৰিছিল। ১৬ তোমাৰ হাতেৰে সজা অনেক বস্তুৰ কাৰণে অৰাম
আছিল তোমাৰ বণিক; তেওঁলোকে মৰকত মণি, বেঙেনা বৰণীয়া
সূতা, ৰঙীণ বন কৰা কাপোৰ, মিহি শণ সূতাৰ কাপোৰ পোৱাল
আৰু পদ্মৰাগ মণি দি তোমাৰ বাণিজ্য-দ্ৰব্য লৈছিল। ১৭ যিহূদা আৰু
ইস্ৰায়েল দেশ তোমাৰ লগত বেপাৰী আছিল। তেওঁলোকে মিন্নীতৰ
ঘেঁহু ধান, পন্নগ, মিঠাই, মৌ, তেল আৰু সুস্থজনক গছৰ এঁঠা দি
তোমাৰ বয়-বস্তু লৈছিল। ১৮ তোমাৰ হাতেৰে সজা অধিক বয়-
বস্তুবোৰ আৰু তোমাৰ সকলো প্ৰকাৰ ধন-ঐশ্বৰ্য্যৰ কাৰণে দম্মোচক
তোমাৰ বণিক আছিল; তাৰ লোকসকলে হিল্বোনৰ দ্ৰাক্ষাৰস আৰু
মেৰ-ছাগৰ বগা নোম আনিছিল। ১৯ উজালত থকা দান আৰু যাবনে
তোমাক উজ্জ্বল লোহা, ডালচেনি আৰু সুগন্ধি বচ আদি বয়-বস্তুবোৰ
যোগাৰ কৰিছিল। এয়ে তোমাৰ বাণিজ্য-দ্ৰব্য হ'বলৈ ধৰিলে। ২০

ঘোঁৰাত উঠিবৰ কাৰণে জীন কাপোৰৰ, দদান তোমাৰ ব্যৱসায়ী
আছিল। ২১ আৰব আৰু কেদৰৰ আটাই মূখ্য লোকসকল তোমাৰ
বণিক আছিল; তেওঁলোকে তোমাক মেৰ-ছাগ পোৱালি, মতা মেৰ
আৰু মতা ছাগলী যোগাৰ কৰি দিছল। ২২ চিবাৰ আৰু ৰয়মাৰ
বেপাৰীসকলে তোমাক সকলো বিধৰ শ্ৰেষ্ঠ সুগন্ধি দ্ৰব্য আৰু সকলো
বিধৰ বহুমূল্য পাথৰ বিক্ৰী কৰিবলৈ আহিছিল; তেওঁলোকে সোণৰ
সলনি তোমাৰ বয়-বস্তবোৰৰ বেপাৰ কৰিছিল। ২৩ হাৰণ, কন্নি আৰু
এদনৰ সৈতে চিবা, অচুৰ আৰু কিল্মদৰ বেপাৰীবোৰ তোমাৰ বণিক
আছিল। ২৪ বহুমূল্য বস্ত্ৰ, নীল বৰণীয়া আৰু কাৰচিপি বন কৰা চোলা,
আৰু ৰচীৰে বন্ধা এৰচ কাঠৰ তৈয়াৰী বহুমূল্য কাপোৰ থকা চন্দুক
তোমাৰ বজাৰলৈ অনা এইবোৰ বস্তুৰেই তোমাৰ বনিক আছিল। ২৫
তৰ্চীচৰ জাহাজবোৰ তোমাৰ বাণিজ্য-দ্ৰব্য লৈ যোৱা বণিকৰ দলস্বৰূপ
আছিল! সেই কাৰণে তুমি তোমাৰ সামগ্ৰীবোৰেৰে পৰিপূৰ্ণ হৈ সমুদ্ৰৰ
মাজত অতিশয় গৌৰৱান্বিত হৈছিলা! ২৬ তোমাৰ বঠা বাওঁতাসকলে
তোমাক মহাজল সমূহলৈ লৈ আহিল; পূবৰ বতাহে সমুদ্ৰৰ মাজত
তোমাক ধংস কৰিলে। ২৭ তোমাৰ ধন-সম্পত্তি, বয়-বস্তু, বাণিজ্য দ্ৰব্য;
তোমাৰ পথ প্ৰদৰ্শকসকল, নাৱিকসকল, আৰু তোমাৰ জাহাজ নিৰ্মান
কৰা লোকসকল; বাণিজ্য-দ্ৰব্যবোৰৰ বণিকসকল আৰু তোমাৰ লগত
উপস্থিত থকা সকলো যুদ্ধাৰু আৰু তোমাৰ সকলো কৰ্মচাৰীবোৰ -
তোমাৰ বিনাশৰ দিনা এই সকলো লোক সকলে সৈতে সমুদ্ৰৰ মাজত
বিনষ্ট হ'ব। ২৮ তোমাৰ পথ দৰ্শকসকলৰ চিঞৰৰ শব্দত তোমাৰ
চাৰিওফালৰ ঠাইবোৰ কঁপিব। ২৯ আটাই বঠা বাওঁতাসকলে নিজ
নিজ জাহাজৰ পৰা বামত নামি আহিব; সমুদ্ৰৰ পথ দৰ্শক আৰু সকলো
সমুদ্ৰৰ প্ৰত্যেক জন নাৱিকে মাটিৰ ওপৰত থিয় হ'ব। ৩০ তেতিয়া
তেওঁলোকে তোমাক তেওঁলোকৰ মাত শুনোৱাব আৰু বৰ বেজাৰেৰে
শোক কৰিব; তেওঁলোকে নিজ নিজ মূৰত ধূলি ছটিয়াব। তেওঁলোকে
ছাইত বাগৰি পৰিব। ৩১ তোমাৰ কাৰণে তেওঁলোকে নিজৰ নিজৰ মূৰ
টকলা কৰিব, চট কাপোৰেৰে কঁকাল বান্ধিব। আৰু অত্যন্ত শোকেৰে
মনৰ তাপত তেওঁলোকে তোমাৰ কাৰণে কান্দিব। ৩২ তেওঁলোকে

হাহাকাৰ কৰি তোমাৰ বিলাপ কৰিবলৈ ধৰিব আৰু তোমাৰ বিষয়ে
এই বিলাপৰ কথা ক'ব, তূৰৰ নিচিনা, সমুদ্ৰৰ মাজত নিস্তব্ধে থকা
জনীৰেই নিচিনা কোন আছে?
৩৩ সমুদ্ৰৰ পৰা তোমাৰ বয়-বস্তুবোৰ
বৈ যোৱাৰ সময়ত তুমি অনেক লোকক সন্তুষ্ট কৰিলা; তোমাৰ অধিক
ধন-সম্পত্তি আৰু বাণিজ্য-দ্ৰব্যেৰে পৃথিৱীৰ ৰজাসকলক তুমি চহকী
কৰিছিলা!
৩৪ কিন্তু যেতিয়া তোমাক সমুদ্ৰৰ দ্বাৰাই জল সমূহৰ গভীৰ
ঠাইবোৰত তোমাক ভগ্ন কৰা হৈছিল, তোমাৰ বাণিজ্য-দ্ৰব্য আৰু
তোমাৰ আটাই দল বুৰ গ'ল!
৩৫ দ্বীপ নিবাসী সকলোৰে তোমাক
দেখি ভয় খালে, আৰু তেওঁলোকৰ ৰজাসকলৰ নোম শিয়ৰি উঠিল!
তেওঁলোকৰ মুখমণ্ডল ভয়েৰে কপিলে!
৩৬ লোকসকলৰ মাজত থকা
বণিকসকলে তোমাক দেখি ইচ ইচ কৰে। তুমি ত্ৰাসৰ বিষয় থ'লো,
তুমি আৰু কেতিয়াও অৱশিষ্ট নাথাকিবা।"

## ২৮

তাৰ পাছত যিহোৱাৰ বাক্য পুনৰায় মোৰ ওচৰলৈ আহিল, আৰু
ক'লে,
২ "হে মনুষ্য সন্তান, তুমি তূৰৰ শাসনকৰ্ত্তাজনক কোৱা, 'প্ৰভু
যিহোৱাই এই কথা কৈছে: তোমাৰ হৃদয় গৰ্ব্বিত হ'ল! তুমি কৈছা, "মই
এজন দেৱতা! মই সমুদ্ৰৰ মাজত দেৱতাবোৰৰ আসনত বহি থাকিম!"
যদিও তুমি নিজ মনক দেৱতাৰ মন বুলি মানিছা, তথাপি তুমি মাথোন
মানুহ হে, কিন্তু ঈশ্বৰ নহয়;
৩ তুমি নিজকে দানিয়েলতকৈ জ্ঞানী
বুলি ভাবিছা, আৰু তোমাক আচৰিত কৰিব পৰা কোনো গুপুত কথা
নাই!
৪ তোমাৰ জ্ঞান আৰু বুদ্ধিৰে তুমি নিজকে প্ৰতিপত্তিশালী কৰিলা
আৰু সোণ আৰু ৰূপ আৰ্জ্জি তোমাৰ ভঁৰালত ৰাখিলা।
৫ তোমাৰ
বাণিজ্য, তোমাৰ জ্ঞান আছিল; তুমি ধন-সম্পত্তি বঢ়ালা আৰু তোমাৰ
ধন-সম্পত্তিৰ কাৰণে তোমাৰ মন গৰ্ব্বিত হ'ল!
৬ এই কাৰণে প্ৰভু
যিহোৱাই এই কথা কৈছে: কিয়নো তুমি নিজ মনক দেৱতাৰ মন বুলি
মানিছা,
৭ এই কাৰণে চোৱা, মই বিদেশীসকলক তোমাৰ বিৰুদ্ধে
আনিম, যি সকল আন জাতিবোৰৰ মাজৰ ভয়ানক মানুহ! তেওঁলোকে
তোমাৰ জ্ঞান-কান্তিৰ বিৰুদ্ধে নিজ নিজ তৰোৱাল উলিয়াব আৰু
তোমাৰ উজ্জ্বলতা অশুচি কৰিব!
৮ তেওঁলোকে তোমাক গাতলৈ নমাই
পঠিয়াব আৰু তোমাৰ সাগৰৰ মাজ ঠাইত হত হোৱা লোকৰ দৰে মৃত্যু

হ’ব! ৯ যি জন লোকে তোমাক বধ কৰিব, সেই জন লোকৰ আগত
তুমি সঁচাকৈ তেতিয়াও, “মই এজন দেৱতা” বুলি ক’বা নে? তুমি
মনুষ্য মাত্র কিন্তু ঈশ্বৰ নহয়, আৰু যি জন লোকে তোমাক বধ কৰিব,
সেই জনৰ হাতত তোমাক শোধাই দিয়া হ’ব! ১০ তুমি বিদেশীসকলৰ
হাতত অচুন্নৎসকলৰ দৰে মৰিবা, কিয়নো মই এই কলোঁ!’ এয়ে প্রভু
যিহোৱাৰ ঘোষণা।” ১১ পুনৰায় যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল,
আৰু ক’লে, ১২ “হে মনুষ্য সন্তান, তুমি তূৰৰ ৰজাৰ বিষয়ে বিলাপ
কৰা আৰু তেওঁক কোৱা, ‘প্রভু যিহোৱাই এই কথা কৈছে: তুমি সৰ্ব্ব
গুণৰ সমষ্টি, পূর্ণজ্ঞানী আৰু পৰমসুন্দৰ আছিলা! ১৩ ঈশ্বৰৰ বাৰী
এদনত, তুমি আছিলা! সকলো বহুমূল্য পাথৰ তোমাৰ আৱৰণ আছিল:
চুনী, পীতমণি, হীৰা, বৈদূর্য্য মণি, গোমেদক, সূর্যকান্ত, নীলকান্ত,
পদ্মৰাগ আৰু মৰকত! আৰু সোণেৰে তোমাৰ খঞ্জৰী আৰু বাঁহীৰ
বাদ্য তোমাৰ মাজত আছিল! তুমি সৃষ্টি হোৱা দিনাই, সেইবোৰ
তুমি আৱৰণ কৰিবলৈ তোমাৰ বাবে যুগুত কৰা হৈছিল! ১৪ মই
তোমাক ঈশ্বৰৰ পবিত্র পৰ্ব্বতত স্থাপন কৰিছিলোঁ আৰু অভিষিক্ত কৰা
কৰূবৰ দৰে তুমি ঢাকি ধৰোঁতা আছিলা! তুমি জুইৰ নিচিনা চক্‌মকীয়া
পাথৰবোৰৰ মাজত অহা-যোৱা কৰিছিলা। ১৫ তোমাত অন্যায় পোৱা
নোযোৱালৈকে তুমি সৃষ্ট হোৱা দিনৰ পৰাই তোমাৰ আচাৰ-ব্যৱহাৰত
সিদ্ধ আছিলা। ১৬ তোমাৰ বাণিজ্যৰ বাহুল্যত তোমাৰ ভিতৰখন
অত্যাচাৰেৰে পৰিপূর্ণ হোৱাৰ কাৰণে তুমি পাপ কৰিলা! মই তোমাক
অশুচি বুলি ঈশ্বৰৰ পৰ্ব্বতৰ পৰা বাহিৰ কৰিলোঁ; আৰু হে ঢাকি ধৰোঁতা
কৰূব, জুইৰ দৰে চক্‌মকীয়া পাথৰবোৰৰ মাজৰ পৰা মই তোমাক লুপ্ত
কৰিলোঁ। ১৭ তোমাৰ সৌন্দর্য্যৰ কাৰণে তোমাৰ হৃদয় গৰ্ব্বিত হৈছিল;
তোমাৰ উজ্জ্বলতাৰ কাৰণে তুমি নিজ জ্ঞান নষ্ট কৰিলা! মই তোমাক
মাটিৰ সমান কৰিলোঁ! ৰজাসকলে তোমাক দেখা পাবলৈ তোমাক
তেওঁলোকৰ সন্মূখত ৰাখিলোঁ। ১৮ তোমাৰ অপৰাধ অধিক হোৱাত,
তোমাৰ বাণিজ্যৰ অন্যায়েৰে তোমাৰ ধৰ্মধামবোৰ তুমি অপবিত্র
কৰিলা! এই হেতুকে মই তোমাৰ মাজৰ পৰাই অগ্নি উলিয়ালোঁ।
সেয়ে তোমাক গ্ৰাস কৰিব। আৰু তোমাক সকলোৱে দেখাকৈ মই

তোমাক মাটিত ভস্ম কৰিম। ১৯ জাতিবোৰৰ মাজত তোমাক জনা
সকলোৱেই তোমাক দেখি বিস্ময় মানিব; তুমি ত্ৰাসৰ বিষয় হ'বা
আৰু তোমাৰ অস্তিত্ব কেতিয়াও নাথাকিব'!" ২০ তেতিয়া যিহোৱাৰ
বাক্য মোৰ ওচৰলৈ আহিল আৰু ক'লে, ২১ "হে মনুষ্য সন্তান, তুমি
চীদোনৰ ফালে মুখ কৰি তাইৰ বিৰুদ্ধে ভাববাণী প্ৰচাৰ কৰা! ২২
আৰু কোৱা, প্ৰভু যিহোৱাই এই কথা কৈছে, হে চীদোন! মই তোমাৰ
বিপক্ষ; মই তোমাৰ মাজত গৌৰৱান্বিত হ'ম, যেতিয়া মই তাক দণ্ড
দিম আৰু তাৰ মাজত পবিত্ৰীকৃত হ'ম। তেতিয়া মই যে পবিত্ৰ, সেয়ে
তোমাত প্ৰকাশিত হ'ম! ২৩ কিয়নো মই তাৰ মাজলৈ মহামাৰী আৰু
তাৰ আলিবোৰত ৰক্তপাত কৰিবলৈ মানুহ পঠিয়াম। আৰু যেতিয়া
চাৰিওফালৰ পৰা তোমাৰ বিৰুদ্ধে তৰোৱালৰ দ্বাৰাই হত হোৱা লোক
পতিত হ'ব, তেতিয়া মই যে যিহোৱা, সেই বিষয়ে তোমালোকে
জানিবা! ২৪ তাৰ পাছত ইস্ৰায়েল-বংশক বিন্ধোতা কোন হুল বা দুখ
দিওঁতা কোনো কাঁইট বা তাইৰ চাৰিওফালে থকা তাইক হেয়জ্ঞান
কৰা লোকসকলৰ মাজত কোনো অৱশিষ্ট নাথাকিব; তেতিয়া মই যে
প্ৰভু যিহোৱা, সেই বিষয়ে তেওঁলোকে জানিব!' ২৫ প্ৰভু যিহোৱাই এই
কথা ঘোষণা কৰিছে: 'মই যেতিয়া ইস্ৰায়েল বংশৰ ছিন্ন-ভিন্ন হোৱা
লোকসকলৰ পৰা তেওঁলোকক গোট খুৱাম, আৰু যাতে জাতি সমূহৰ
সাক্ষাতে মই তেওঁলোকৰ মাজত পবিত্ৰীকৃত হ'ম, তেতিয়া মই মোৰ
দাস যাকোবক দিয়া দেশখনত তেওঁলোকে নিজ দেশতে বাস কৰিব।
২৬ তেতিয়া তেওঁলোকে নিৰ্ভয়ে বাস কৰিব আৰু তেওঁলোকে ঘৰ
সাজিব, দ্ৰাক্ষাবাৰী পাতিব আৰু নিৰ্ভয়ে বাস কৰি থাকিব যেতিয়া মই
চাৰিওফালে তেওঁলোকক হিংসা কৰোঁতা সকলক দণ্ড দিম; তেতিয়া,
মই যে তেওঁলোকৰ ঈশ্বৰ যিহোৱা, সেই বিষয়ে তেওঁলোকে জানিব'।"

**২৯** আমাৰ নিৰ্বাসনৰ দশম বছৰৰ, দশম মাহৰ দ্বাদশ দিনা,
যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, আৰু ক'লে, ২ "হে মনুষ্য সন্তান,
তুমি মিচৰৰ ৰজা ফৰৌণৰ ফালে মুখ কৰি তাৰ আৰু গোটেই মিচৰৰ
বিৰুদ্ধে ভাববাণী প্ৰচাৰ কৰা! ৩ ঘোষণা কৰি কোৱা, 'প্ৰভু যিহোৱাই
এই কথা কৈছে: হে মিচৰৰ ৰজা ফৰৌণ, চোৱা! মই তোমাৰ বিপক্ষ!

তুমি, যি নিজ নৈবোৰৰ মাজত পৰি থকা সাগৰৰ বৃহৎ প্ৰাণী, যিহে
মোক এই বুলি কৈ, “মোৰ নৈ মোৰ নিজৰেই! নিজৰ কাৰণেই মই
তাক কৰিলোঁ।” ৪ কিয়নো মই তোমাৰ জামু-দাঁতৰ গুৰিত হাঁকোটা
লগাম, আৰু তোমাৰ নীল নৈবোৰৰ মাছবোৰ তোমাৰ বাকলিত লগাই
ৰাখিম; মই তোমাৰ বাকলিত লাগি থকা তোমাৰ নৈবোৰৰ আটাই
মাছে সৈতে তোমাৰ নৈবোৰৰ মাজৰ পৰা তোমাক ওপৰলৈ তুলি
আনিম। ৫ মই তোমাক আৰু তোমাৰ নৈবোৰৰ আটাই মাছবোৰক
মৰুপ্ৰান্তলৈ পেলাই দিম। তুমি মুকলি পথাৰত পৰি থাকিবা, তোমাক
চপোৱা কি গোটোৱা নাযাব; মই তোমাক পৃথিৱীৰ জন্তুৰ আৰু আকাশৰ
পক্ষীবোৰৰ আহাৰ হ'বলৈ দিম! ৬ তেতিয়া মই যে যিহোৱা, সেই
বিষয়ে মিচৰ সকলো নিবাসীয়ে জানিব, কিয়নো তেওঁলোক ইস্ৰায়েল-
বংশলৈ নলৰ লাখুটিস্বৰূপ! ৭ যেতিয়া তেওঁলোকে তোমালোকক
খামোচ মাৰি ধৰিছিল, তেতিয়া তোমালোকে তেওঁলোকক ভাঙিলা
আৰু সকলোৰে কান্ধ ফালিলা; আৰু যেতিয়া তেওঁলোকে তোমালোকৰ
ওপৰত ভৰ দিছিল, তেতিয়া তুমি তেওঁলোকৰ ভৰি ভাগিলা আৰু
তেওঁলোকৰ সকলোৰে কঁকালৰ জোৰা লৰাই তেওঁলোকক অচল
কৰিলা। ৮ এই কাৰণে প্ৰভু যিহোৱাই এই কথা কৈছে: চোৱা! মই
তোমাৰ বিৰুদ্ধে এখন তৰোৱাল আনিম আৰু তোমাৰ মাজৰ পৰা
মানুহ আৰু পশু সকলোকে উচ্ছন্ন কৰিম। ৯ তাৰ পাছত মিচৰ
দেশ ধ্বংস আৰু উচ্ছন্ন হ'ব; তেতিয়া মই যে যিহোৱা, সেই বিষয়ে
তেওঁলোকে জানিব, কাৰণ সেই সাগৰৰ প্ৰাণীয়ে কৈছিল, “নৈখন
মোৰেই আৰু ময়েই তাক কৰিলোঁ।” ১০ এই কাৰণে, চোৱা! মই
তোমাৰ আৰু তোমাৰ নৈবোৰৰ বিপক্ষ; মই মিচৰ দেশ সম্পূৰ্ণকৈ
উচ্ছন্ন আৰু ধ্বংসস্থান কৰিম আৰু মিগদোলৰ পৰা চিবেনিলৈকে, এনে
কি, কুচৰ সীমালৈকে তুমি ধ্বংসস্থান হৈ পৰিবা। ১১ মানুহ বা পশু
তাৰ মাজেদি নাযাব আৰু চল্লিশ বছৰলৈকে তাত বাস কৰা নহ'ব!
১২ ধ্বংস কৰা দেশবোৰৰ মাজত মই মিচৰ দেশকো এক ধ্বংসস্থান
কৰিম; আৰু উচ্ছন্ন হোৱা নগৰবোৰৰ মাজত তাৰ নগৰবোৰো চল্লিশ
বছৰলৈকে ধ্বংসস্থান হৈ থাকিব; মই মিচৰীয়াসকলক জাতি সমূহৰ

মাজত ছিন্ন-ভিন্ন কৰিম, আৰু দেশবোৰৰ মাজত গোট গোট কৰিম।
১৩ কিয়নো প্ৰভু যিহোৱাই এই কথা কৈছে: যি জাতি সমূহৰ মাজত
মিচৰীয়াসকলক ছিন্ন-ভিন্ন কৰিছিলোঁ, সেই জাতি সমূহৰ মাজৰ পৰা
মই চল্লিশ বছৰৰ মূৰত তেওঁলোকক গোটাই আনিম। ১৪ মই মিচৰৰ
বন্দী অৱস্থা পৰিৱৰ্ত্তন কৰিম, আৰু তেওঁলোকৰ উৎপত্তিৰ দেশ পথ্ৰোচ
দেশলৈ তেওঁলোক লৈ আহিম। তেতিয়া সেই ঠাইত তেওঁলোক এক
সামান্য ৰাজ্য হ'ব। ১৫ সেয়ে ৰাজ্যবোৰৰ মাজত সকলোতকৈ সামান্য
হ'ব, আৰু আন জাতি সমূহৰ ওপৰত আৰু মূৰ নুতুলিব; আৰু মই
তেওঁলোকক হ্ৰাস কৰিম যেন আন জাতি সমূহৰ ওপৰত তেওঁলোকে
কেতিয়াও প্ৰভুত্ব কৰিব নোৱাৰে। ১৬ তেওঁলোকে কেতিয়াও ইস্ৰায়েল-
বংশৰ বিশ্বাস-ভূমি নহ'ব আৰু মিচৰ পাছত যাবলৈ তেওঁলোকে মুখ
কৰা কালত তেওঁলোক অপৰাধ সোঁৱৰণ কৰাওঁতাও আৰু নহ'ব;
তেতিয়া মই যে যিহোৱা, সেই বিষয়ে তেওঁলোকে জানিব'।" ১৭ তাৰ
পাছত, আমাৰ নিৰ্বাসনৰ সাতাইশ বছৰৰ বছৰি প্ৰথম মাহৰ প্ৰথম
দিনা যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, আৰু ক'লে, ১৮ "হে মনুষ্য
সন্তান, বাবিলৰ ৰজা নবূখদনেচৰে নিজৰ সৈন্য-সামন্তক তূৰৰ বিৰুদ্ধে
বৰ পৰিশ্ৰম কৰালে। সকলোৰে মূৰ টকলা কৰা হ'ল, আৰু সকলোৰে
কান্ধৰ ছাল ছিগিল; তথাপি তূৰৰ বিৰুদ্ধে তেওঁ কৰা পৰিশ্ৰমৰ কাৰণে,
তূৰৰ পৰা তেওঁ কি তেওঁৰ সৈন্য-সামন্তই একো বেচ নাপালে। ১৯ এই
হেতুকে, প্ৰভু যিহোৱাই এই কথা কৈছে: 'চোৱা! মই বাবিলৰ ৰজা
নবূখদনেচৰক মিচৰ দেশ দিম; তেওঁ তাৰ ধন লৈ যাব আৰু তাৰ দ্ৰব্য
লুট কৰিব আৰু তাৰ সকলো বস্তু কাঢ়ি লৈ যাব; সেইবোৰেই তেওঁৰ
সৈন্য-সামন্তৰ বেচ হ'ব! ২০ তেওঁ পৰিশ্ৰম কৰাৰ বেচ স্বৰূপে মই
তেওঁক মিচৰ দেশ দিম কিয়নো তেওঁলোকে মোৰ অৰ্থে কাৰ্য কৰিলে।"
এয়ে প্ৰভু যিহোৱাই কৰা ঘোষণা। ২১ "সেই দিনা মই ইস্ৰায়েলৰ-
বংশৰ কাৰণে এক শিং গজাম, আৰু তেওঁলোকৰ মাজত তোমাৰ মুখ
খুলিম; তেতিয়া মই যে যিহোৱা, সেই বিষয়ে তেওঁলোকে জানিব।"
**৩০** যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, আৰু ক'লে, ২ "হে মনুষ্য
সন্তান, তুমি ভাববাণী প্ৰচাৰ কৰি কোৱা, যে প্ৰভু যিহোৱাই এই কথা

কৈছে: তোমালোকে হাহাকাৰ কৰি কোৱা, ‘হায়, হায়, সেয়ে কেনে
দিন হ’ব!’ ৩ কিয়নো সেই দিন ওচৰ! এনে কি, যিহোৱাৰ দিন, মেঘে
ঢকা দিন হ’ব, সেয়ে জাতিবোৰৰ বাবে কাল হ’ব। ৪ তেতিয়া মিচৰৰ
বিৰুদ্ধে তৰোৱাল আহিব, আৰু তেতিয়া কুচত যাতনা হ’ব, যেতিয়া
মিচৰত হত লোকবোৰ পতিত হ’ব - তাৰ লোক সমূহক তাৰ পৰা
নিয়া হ’ব আৰু তাৰ ভিত্তিমূলবোৰ ভঙা হ’ব। ৫ কুচ, পূট, লুদ, মিহলি
থকা আটাই লোক সমূহ কূব আৰু নিয়মটি পতা দেশৰ লোকসকল
তেওঁলোকৰ লগত তৰোৱালৰ দ্বাৰাই পতিত হ’ব। ৬ যিহোৱাই এই
কথা কৈছে: “যিসকল মিচৰৰ স্তম্ভস্বৰূপ অৰ্থাৎ তেওঁলোকৰ ফলিয়া
হ’ব, তেওঁলোকো পতিত হ’ব আৰু তাৰ পৰাক্ৰমৰ গৰ্ব্ব খৰ্ব্ব হ’ব।
মিগদোলৰ পৰা চিবেনিলৈকে তেওঁলোকৰ সৈন্য সমূহ তৰোৱালৰ
দ্বাৰাই পতিত হ’ব!” এইয়াই প্ৰভু যিহোৱাৰ ঘোষণা! ৭ আৰু ধ্বংস
কৰা দেশবোৰৰ মাজত তেওঁলোককো ধ্বংস অৱস্থাত পোৱা লোক
হ’ব, আৰু তেওঁলোকৰ নগৰবোৰ উচ্ছন্ন হোৱা নগৰবোৰৰ মাজৰ
উচ্ছন্ন নগৰ হ’ব। ৮ যেতিয়া মই মিচৰত জুই লগাম, আৰু ইয়াৰ
আটাই সাহায্যকাৰীসকল নষ্ট হ’ব; তেতিয়া মই যে যিহোৱা, ইয়াকে
তেওঁলোকে জানিব! ৯ সেইদিনা নিশ্চিন্তে থকা কুচীয়াসকলক ভয়
লগাবলৈ দূতবোৰে মোৰ আগৰ পৰা জাহাজেৰে ওলাই যাব, আৰু
সেইদিনা মিচৰত হোৱাৰ নিচিনাকৈ তেওঁলোকৰ মাজত যাতনা হ’ব।
কিয়নো চোৱা! সেয়ে আহিছে! ১০ প্ৰভু যিহোৱাই এইদৰে কৈছে:
“মই বাবিলৰ ৰজা নবূখদনেচৰৰ হাতৰ দ্বাৰাই মিচৰৰ লোক সমূহক
লুপ্ত কৰিম। ১১ তেওঁক আৰু তেৰেঁ সৈতে তেওঁৰ প্ৰজাসকলক,
জাতিবোৰৰ ভয়ানক লোকক দেশ বিনষ্ট কৰিবৰ অৰ্থে অনা হ’ব; আৰু
তেওঁলোকে মিচৰৰ বিৰুদ্ধে নিজ নিজ তৰোৱাল ফাকৰ পৰা উলিয়াই
হত লোকসকলেৰে দেশ পৰিপূৰ্ণ কৰিব। ১২ মই নদীবোৰ শুকান
ঠাই কৰিম, আৰু এই দেশ দুষ্ট লোকসকলৰ হাতত বেচি দিম। মই
তাত থকা সকলোকে বিদেশী লোকৰ হাতৰ দ্বাৰাই উচ্ছন্ন কৰোৱাম!
মই, যিহোৱাই ইয়াক ঘোষণা কৰিলোঁ!” ১৩ প্ৰভু যিহোৱাই এই কথা
কৈছে: “মই মূৰ্ত্তিবোৰো নষ্ট কৰিম আৰু নোফৰ পৰা প্ৰতিমাবোৰ

লুপ্ত কৰিম। আৰু মিচৰ দেশৰ পৰা অধিপতি আৰু নোলাব, আৰু মই
মিচৰ দেশত আতংক আনিম! ১৪ ইয়াত মই পথ্রোচক ধ্বংস কৰিম,
চোৱনত জুই লগাম আৰু নো নগৰক দণ্ড দিম। ১৫ আৰু মই মিচৰৰ
দুৰ্গ চীনৰ ওপৰত মোৰ ক্ৰোধ বৰষাম আৰু নো নগৰৰ লোক সমূহক
উচ্ছন্ন কৰিম। ১৬ তেতিয়া মই মিচৰত জুই লগাম। চীনে যাতনাত
ধৰফৰাব, আৰু নো নগৰক ভঙা হ'ব। আৰু প্ৰতিদিনে শত্ৰূৱে নোফক
আক্ৰমণ কৰিব! ১৭ আবনৰ আৰু পী-বেচতৰ ডেকাসকল তৰোৱালৰ
দ্বাৰাই পতিত হ'ব, আৰু সেই দুখন নগৰৰ লোকসকল বন্দী অৱস্থালৈ
যাব। ১৮ যেতিয়া মই তহপন্হেচত মিচৰৰ যুৱলিবোৰ ভাঙিম, তেতিয়া
তাত দিন অন্ধকাৰ হ'ব, আৰু মিচৰৰ মাজত থকা পৰাক্ৰমৰ গৰ্ব্ব খৰ্ব্ব
হ'ব। আৰু তাৰ নিজৰ বিষয়ে হ'লে, এডোখৰ মেঘে তাক ঢাকিব আৰু
তাৰ জীয়াৰীসকল বন্দী অৱস্থালৈ যাব। ১৯ এইদৰে মই মিচৰক দণ্ড
দিম; তাতে মই যে যিহোৱা, ইয়াক তেওঁলোকে জানিব। ২০ একাদশ
বছৰৰ প্ৰথম মাহৰ সপ্তম দিনা যিহোৱাৰ বাক্য মোলৈ আহিল, আৰু
ক'লে, ২১ "হে মনুষ্য সন্তান, মই মিচৰৰ ৰজা ফৰৌণৰ বাহু ভাঙিলোঁ।
আৰু চোৱা! তৰোৱাল ধৰিবলৈ শক্তি পাবৰ কাৰণে তাত ঔষধ লগাই
পটি দি তাক বন্ধা নহ'ল।" ২২ সেই কাৰণে প্ৰভু যিহোৱাই এই কথা
কৈছে: "চোৱা, মিচৰৰ ৰজা ফৰৌণলৈ! তেওঁৰ বিপক্ষে মই তেওঁৰ বলী
ও ভগা বাহু এই দুয়োকো ভাঙিম আৰু তেওঁৰ হাতৰ পৰা তৰোৱালখন
পৰি যোৱা কৰিম। ২৩ আৰু মই মিচৰীয়াসকলক জাতিবোৰৰ মাজত
ছিন্ন-ভিন্ন কৰিম আৰু দেশবোৰৰ মাজত গোট গোট কৰিম। ২৪
মই বাবিলৰ ৰজাৰ বাহু দুটা সবল কৰিম আৰু তেওঁৰ হাতত মোৰ
তৰোৱাল দিম যাতে মই ফৰৌণৰ বাহু দুটা ভাঙি পেলাব পাৰিম।
তাতে সাংঘাতিকৰূপে আঘাতিত হোৱা লোকে কেঁকোৱাৰ দৰে তেওঁৰ
আগত তেওঁ কেঁকাব। ২৫ আৰু মই বাবিলৰ ৰজাৰ বাহু দুটা শক্তিশালী
কৰিম, কিন্তু ফৰৌণৰ বাহু দুটা হ'লে ভাঙি পৰিব। তেতিয়া, মই যে
যিহোৱা, ইয়াক তেওঁলোকে জানিব, যেতিয়া মই বাবিলৰ ৰজাৰ হাতত
মোৰ তৰোৱাল দিম; আৰু ইয়াৰেই তেওঁ মিচৰ দেশৰ বিৰুদ্ধে তাক
আক্ৰমণ কৰিব। ২৬ মই মিচৰীয়াসকলক জাতিবোৰৰ মাজত ছিন্ন-

ভিন্ন আৰু দেশবোৰৰ মাজত গোট গোট কৰিম। তেতিয়া মই যে
যিহোৱা, ইয়াক তেওঁলোকে জানিব!”

**৩১** তেতিয়া আমাৰ নিৰ্বাসনৰ একাদশ বছৰৰ তৃতীয় মাহৰ প্ৰথম
দিনা যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, আৰু ক'লে, ২ “হে মনুষ্য
সন্তান, মিচৰৰ ৰজা ফৰৌণক আৰু তেওঁৰ চাৰিওফালে থকা দাস
সমূহক কোৱা, ‘তুমি তোমাৰ মহত্ত্বত কাৰ নিচিনা? ৩ চোৱা! অচূৰ
লিবানোনত সুন্দৰ ডাল, ঘন ছাঁ আৰু ওখ হৈ থকা এজোপা এৰচ গছৰ
দৰে আছিল; আৰু তাৰ ওপৰ ভাগ মেঘস্পৰ্শী যেন হৈছিল। ৪ জল
সমূহে তাক ডাঙৰ-দীঘল কৰিছিল; অগাধ জলে তাক বঢ়াইছিল।
তাৰ সুঁতিবোৰ তাৰ ৰোৱা ঠাইৰ চাৰিওফালে বৈছিল, আৰু সি নিজৰ
সুঁতিবোৰ পথাৰৰ আটাই গছৰ গুৰিলৈ পঠাইছিল। ৫ এই হেতুকে
ওখই সি পথাৰৰ আটাই গছতকৈ ওখ আছিল; সি পঠোৱা অনেক
পানীৰ কাৰণে তাৰ ডালবোৰ বৃদ্ধি হৈছিল, আৰু প্ৰচুৰ জল পোৱাত তাৰ
শাখাবোৰ দীঘল আৰু অনেক হৈছিল। ৬ তাৰ ডালবোৰত আকাশৰ
আটাই পক্ষীয়ে বাহ লৈছিল, তাৰ শাখাবোৰৰ তলত আটাই বনৰীয়া
জন্তুৱে পোৱালি জগাইছিল। আৰু তাৰ ছাঁত আটাই মহাজাতিয়ে বাস
কৰিছিল। ৭ এইদৰে, তাৰ শিপা অনেক জল সমূহৰ কাষত থকাত,
সি নিজ মহত্ত্বত আৰু নিজ ডালবোৰৰ দৈৰ্ঘত সুন্দৰ আছিল। ৮
ঈশ্বৰৰ উদ্যানৰ এৰচ গছবোৰে তাক লুকুৱাব নোৱাৰিছিল! দেৱদাৰু
গছবোৰ তাৰ ডালবোৰৰ নিচিনা নাছিল, আৰু অৰ্মোন গছবোৰ তাৰ
শাখাবোৰৰ নিচিনা নাছিল; আৰু ঈশ্বৰৰ উদ্যানত থকা কোনো গছ
সৌন্দৰ্য্যত তাৰ নিচিনা নাছিল। ৯ মই তাক অধিক ডালবোৰেৰে তাক
এনে সুন্দৰ কৰিছিলোঁ; যে, ঈশ্বৰৰ উদ্যানত থকা এদনৰ সকলো গছে
তাক ঈৰ্ষা কৰিছিল'!” ১০ এই হেতুকে প্ৰভু যিহোৱাই এই কথা কৈছে:
সি উচ্চতাত ওখ হোৱাৰ, আৰু সি তাৰ ওপৰ ভাগ মেঘস্পৰ্শী কৰাৰ,
আৰু তাৰ হৃদয় নিজৰ উচ্চতাত গৰ্ব্বিত হোৱাৰ কাৰণে, ১১ মই তাক
জাতিবোৰ পৰাক্ৰমী জনৰ হাতত সমৰ্পণ কৰিলোঁ! এই শাসনকৰ্ত্তাই
তেওঁৰ বিৰুদ্ধে উচিত কাৰ্য কৰিলে আৰু তাৰ দুষ্টতাৰ কাৰণে তাক দূৰ
কৰি দিয়া হ'ল! ১২ আৰু জাতিবোৰৰ ভয়ানক বিদেশীসকলে তেওঁক

কাটি এৰি থৈ গ'ল। পৰ্ব্বতবোৰৰ ওপৰত আৰু আটাই উপত্যকাত
তাৰ ডালবোৰ পৰি আছে, আৰু দেশৰ আটাই জুৰিবোৰৰ কাষত
তাৰ শাখবোৰ ভাগি গ'ল। আৰু তেতিয়া পৃথিৱীৰ সকলো জাতিবোৰে
তেওঁৰ ছাঁৰ পৰা নামি গ'ল আৰু এৰি গুচি গ'ল। ১৩ পৰি থকা সেই
গছডালত আকাশৰ আটাই পক্ষীবোৰে তাত বাস কৰিছে, আৰু তাৰ
শাখাৰ ওপৰত আটাই বনৰীয়া জন্তু বহি আছে। ১৪ জল সমূহৰ কাষত
থকা গছবোৰৰ কোনো গছে নিজ উচ্চতাত গৰ্ব্ব নকৰিবৰ নিমিত্তে, বা
তাৰ ওপৰ ভাগ মেঘস্পৰ্শী নকৰিবলৈ, নাইবা সেইবোৰৰ বৃহৎবোৰৰ
মাজৰ পানী পান কৰাসকলৰ মাজৰ কোনেও উচ্চতাত নিজকে ওখ
নেদেখুৱাবৰ বাবে, মই ইয়াকে কৰিলোঁ। কিয়নো সেই আটাইবোৰ
মৃত্যুলৈ, পৃথিৱীৰ আধা ভাগলৈ, গাতলৈ নামিব লগাবোৰে সৈতে মনুষ্য
সন্তান সকলৰ মাজত সমৰ্পিত হ'ল।" ১৫ প্ৰভু যিহোৱাই এই কথা
কৈছে: "সি চিয়োললৈ নামি যোৱা দিনা মই শোকৰ আজ্ঞা দিলোঁ; মই
তাৰ কাৰণে অগাধ জলক ঢাকিলোঁ, তাক সুঁতিবোৰ বন্ধ কৰিলোঁ, আৰু
মহাজল সমূহক স্থগিত কৰা হ'ল; মই তাৰ বাবে লিবানোনক শোক
কৰালোঁ, আৰু পথাৰৰ আটাই গছ তাৰ বাবে জঁয় পৰিল। **(Sheol h7585)**
১৬ গাতলৈ নামিব লগাবোৰে সৈতে মই তাক চিয়োললৈ পেলোৱা
সময়ত তাৰ পতনৰ শব্দত মই জাতিবোৰক কঁপালো; আৰু এদনৰ
আটাই গছে, লিবানোনৰ মনোনীত আৰু উৎকৃষ্ট পানী পান কৰা
আটাইবোৰে পৃথিৱীৰ অৰ্ধভাগত শান্তনা পালে। **(Sheol h7585)** ১৭
যিসকলে তাৰ বাহুস্বৰূপ আছিল, যিসকলে জাতিবোৰৰ মাজত তাৰ
ছাঁত বাস কৰিছিল, তেওঁলোকো তৰোৱালৰ দ্বাৰাই হত হোৱা লোকৰ
গুৰিলৈ তাৰে সৈতে চিয়োললৈ নামি গ'ল। **(Sheol h7585)** ১৮ এইদৰে
তুমি প্ৰতাপত আৰু মহত্ত্বত এদনৰ গছবোৰৰ মাজত কাৰ সদৃশ?
তথাপি পৃথিৱীৰ অধোভাগলৈ এদনৰ গছবোৰে সৈতে তোমাকো
নমোৱা হ'ব; তৰোৱালৰ দ্বাৰাই হত হোৱাসকলে সৈতে অচুন্নৎসকলৰ
মাজত তুমিও পৰি থাকিবা! ফৰৌণ আৰু তাৰ আটাই লোক সকলৰ
এইৰূপ গতি হ'ব!" এয়েই প্ৰভু যিহোৱাই কৰা ঘোষণা!

**৩২** তেতিয়া আমাৰ নিৰ্বাসনৰ দ্বাদশ বছৰৰ দ্বাদশ মাহৰ প্ৰথম
দিনা যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, আৰু ক'লে, ২ "হে মনুষ্য
সন্তান, তুমি মিচৰৰ ৰজা ফৰৌণৰ বাবে বিলাপ কৰা, আৰু তেওঁক
কোৱা, 'তুমি নিজকে জাতিবোৰৰ মাজত ডেকা সিংহ বুলি ভাবিছা,
কিন্তু তুমি সমুদ্ৰত থকা মকৰ মাথোন; তোমাৰ নদীবোৰত তুমি
উৎপাত কৰিছা, তোমাৰ ভৰিৰে জল সমূহ আস্ফালন কৰিছা আৰু
তাৰ সুঁতিবোৰ ঘোলা কৰিছা'!" ৩ প্ৰভু যিহোৱাই এই কথা কৈছে:
গতিকে মই অনেক লোক সকলে সৈতে, তোমাৰ ওপৰত মোৰ জাল
পেলাম, আৰু তেওঁলোকে তোমাক মোৰ জালেৰে আনিব! ৪ পাছত
মই তোমাক বামত এৰি দিম! মই তোমাক পথাৰত পেলাই দিম আৰু
আকাশৰ আটাই পক্ষীক তোমাৰ ওপৰত পৰিবলৈ দিম; আৰু গোটেই
পৃথিৱীৰ ভোকত থকা জন্তুবোৰে তোমাক ভক্ষন কৰি সিহঁতৰ হেপাহ
পলোৱাব। ৫ মই পৰ্ব্বতবোৰৰ ওপৰত তোমাৰ মাংস পেলাম আৰু
তোমাৰ দীঘল শৰেৰে উপত্যকাবোৰ পৰিপূৰ্ণ কৰিম! ৬ তেতিয়া
মই পৰ্ব্বতবোৰৰ ওপৰত তোমাৰ তেজ বাকি দিম, আৰু জুৰি বৈ
যোৱা উপত্যকাবোৰ তোমাৰে পূৰ হ'ব! ৭ আৰু তেতিয়া মই তোমাক
নুমুউৱা সময়ত, মই আকাশ-মণ্ডলক ঢাকিম, আৰু তৰাবোৰৰ দীপ্তি
নাইকিয়া কৰিম; মই এডোখৰ মেঘেৰে সূৰ্যক ঢাকিম আৰু চন্দ্ৰই
পোহৰ নিদিব। ৮ আকাশ-মণ্ডলৰ উজ্জ্বল দীপ্তিবোৰ মই তোমাৰ
ওপৰত অন্ধকাৰময় কৰিম, আৰু তোমাৰ দেশৰ ওপৰত অন্ধকাৰ
ব্যাপ্ত কৰিম!" এয়েই হৈছে প্ৰভু যিহোৱাৰ ঘোষণা। ৯ "যেতিয়া মই
জাতিবোৰৰ মাজলৈ, তুমি নজনা দেশবোৰলৈ তোমাৰ বিনাশৰ বাৰ্ত্তা
আনিম, তেতিয়া মই দেশসমূহৰ লোকৰ হৃদয়ত বেজাৰ দিম। ১০
এনে কি, যেতিয়া মই অনেক জাতিৰ আৰু তেওঁলোকৰ ৰজাসকলৰ
আগত মোৰ তৰোৱাল ঘূৰাম, তেতিয়া সেই জাতিবোৰক মই তোমাৰ
বিষয়ে বিস্মিত কৰিম, আৰু সেই ৰজাসকলে তোমাক দেখি শিয়ৰি
উঠিব; আৰু তোমাৰ পতনৰ দিনা তেওঁলোক প্ৰতিজনে নিজ নিজ
প্ৰাণৰ বাবে প্ৰত্যেক মূহূৰ্ত্তত কঁপি উঠিব।" ১১ কিয়নো প্ৰভু যিহোৱাই
এই কথা কৈছে: "বাবিলৰ ৰজাৰ তৰোৱালখনে তোমাৰ বিৰুদ্ধে

আক্ৰমণ কৰিব। ১২ ৰণুৱাসকলৰ তৰোৱালৰ দ্বাৰাই মই তোমাৰ
লোক সমূহক নিপাত কৰিম; প্ৰত্যেক ৰণুৱাই জাতি সমূহৰ ভয়ানক
লোক! এই ৰণুৱাসকলে মিচৰৰ গৰ্ব্বৰ বস্তু লুট কৰিব, আৰু তাৰ
আটাই লোক সমূহক নষ্ট কৰিব। ১৩ মই অনেক জল সমূহৰ কাষৰ
পৰা তাৰ আটাই পশুক উচ্ছন্ন কৰিম; আৰু মানুহৰ ভৰিয়ে বা পশুৰ
খুৰাই তাৰ পানীখিনি ঘোলা নলৰিব! ১৪ তেতিয়া মই তাৰ পানীবোৰ
নিৰ্ম্মল কৰিম আৰু তাৰ নৈ বোৰ তেলৰ নিচিনাকৈ বোৱাম।" এয়েই
হৈছে প্ৰভু যিহোৱাৰ ঘোষণা! ১৫ "যেতিয়া মই মিচৰ দেশ ধ্বংসস্থান
আৰু উচ্ছন্ন কৰিম, তাত উৎপন্ন হোৱা আটাই বস্তু তাত নাইকিয়া
কৰিম; যেতিয়া মই তাৰ নিবাসী আটাইকে প্ৰহাৰ কৰিম, তেতিয়া,
মই যে যিহোৱা, ইয়াকে তেওঁলোকে জানিব! ১৬ এয়ে কৰিবলগীয়া
তেওঁলোকৰ বিলাপ! জাতিবোৰৰ জীয়াৰীসকলে ইয়াৰে বিলাপ কৰিব,
তেওঁলোকে গোটেই মিচৰত বিলাপ কৰিব। তেওঁলোকে আটাই
দাসবোৰৰ বাবে বিলাপ কৰিব!" এয়েই প্ৰভু যিহোৱাৰ ঘোষণা! ১৭
পাছে দ্বাদশ বছৰত মাহৰ পঞ্চদশ দিনা যিহোৱাৰ বাক্য মোৰ ওচৰলৈ
আহিল, আৰু ক'লে, ১৮ "হে মনুষ্য সন্তান, তুমি মিচৰৰ দাসকলৰ
বিষয়ে ক্ৰন্দন কৰা, আৰু তেওঁলোকক তললৈ পেলাই দিয়া - তাক
আৰু বিখ্যাত জাতি সমূহৰ জীয়াৰীসকলে গাতলৈ নামিব লগাবোৰে
সৈতে পৃথিৱীৰ অৰ্দ্ধভাগলৈ পেলাই দিয়া! ১৯ তুমি সকলোতকৈ সুন্দৰী
নে? নামি যোৱা অচুন্নৎসকলৰ লগত শয়ন কৰা! ২০ তেওঁলোক
তৰোৱালৰ দ্বাৰাই হত হোৱা লোকসকলৰ মাজত পতিত হ'ব! মিচৰক
তৰোৱালত শোধাই দিয়া হৈছে; তাইৰ শত্ৰুসকলে তাইক আৰু তাইৰ
দাসবোৰক টানি লৈ যাব! ২১ পৰাক্ৰমী বীৰসকলে চিয়োলত তাইৰ
আৰু তাইৰ সহায়কাৰীসকলক কথা ক'ব: তৰোৱালৰ দ্বাৰাই হত হোৱা
অচুন্নৎসকল তললৈ নামি গৈ পৰি আছে!' **(Sheol h7585)** ২২ অচূৰ
আৰু তাৰ আটাই লোক সমূহ তাত আছে; তাইৰ মৈদামবোৰ তাইৰ
চাৰিওফালে আছে; তেওঁলোক আটাইবোৰ হত হ'ল, তৰোৱালৰ
দ্বাৰাই পতিত হ'ল। ২৩ তেওঁলোকৰ মৈদামবোৰ গাতৰ অন্তভাগত
কৰা হ'ল আৰু তাৰ লোক সমূহ তাৰ মৈদামৰ চাৰিওফালে আছে।

আটাইবোৰ হত হ'ল, তৰোৱালৰ দ্বাৰাই পতিত হ'ল আৰু তেওঁলোকৰ
মৈদামবোৰ চাৰিওফালে আছে, যিসকলে জীৱিতসকলৰ দেশত
ত্ৰাসৰ সৃষ্টি কৰিছিল! ২৪ এলম, আৰু তাইৰ মৈদামৰ চাৰিওফালে
তাইৰ লোক সমূহ তাত আছে; তেওঁলোক আটাইবোৰ হত হ'ল;
তৰোৱলৰ দ্বাৰাই পতিত হ'ল! যিসকল তৰোৱালৰ দ্বাৰাই পতিত
হ'ল, তেওঁলোক অচুন্নৎ অৱস্থাৰেই পৃথিৱীৰ অৰ্দ্ধভাগলৈ নামি গ'ল,
যিসকলে জীৱিতসকলৰ দেশত ত্ৰাস জন্মাইছিল আৰু গাতলৈ নামি
যোৱাসকলেৰে সৈতে নিজৰ লাজৰ ভাৰ বৈছে। ২৫ হত লোকসকলৰ
মাজত, এলম, তাইৰ আটাই লোক সকলে সৈতে তাৰ বাবে এক শয্যা
যুগুত কৰা হ'ল; তাইৰ চাৰিওফালে তাৰ মৈদামবোৰ আছে; তেওঁলোক
আটাইবোৰ অচুন্নৎ, তেওঁলোক তৰোৱালৰ দ্বাৰাই হত হ'ল, কিয়নো
তেওঁলোকে জীৱিতসকলৰ দেশত ত্ৰাস জন্মাইছিল, আৰু গাতলৈ নামি
যোৱাসকলেৰে সৈতে নিজৰ লাজৰ ভাৰ বৈছে; এলম, হত লোকসকলৰ
মাজত ৰখা হৈছে! ২৬ মেচেক তুবল, আৰু তাৰ আটাই দাসবোৰ তাত
আছে! তাৰ চাৰিওফালে তেওঁলোকৰ মৈদামবোৰ আছে! তেওঁলোক
আটাইবোৰ অচুন্নৎ, তেওঁলোক তৰোৱালৰ দ্বাৰাই হত হ'ল; কিয়নো
তেওঁলোকে জীৱিতসকলৰ দেশত ত্ৰাস জন্মাইছিল। ২৭ যি বীৰসকল
অচুন্নৎ অৱস্থাৰে পতিত হ'ল, যিসকলে নিজ নিজ যুদ্ধৰ অস্ত্ৰেৰে সৈতে
চিয়োললৈ নামি গ'ল, যিসকলৰ তৰোৱাল তেওঁলোকৰ মূৰৰ তলত
থোৱা হ'ল, আৰু জীৱিতসকলৰ দেশত বীৰসকলৰ ত্ৰাস জন্মোৱাৰ
কাৰণে যিসকলৰ হাড়বোৰত তেওঁলোকৰ অপৰাধ লাগি আছে, সেই
বীৰসকলৰ লগত, তেওঁলোক নুশুব। **(Sheol h7585)** ২৮ গতিকে তুমি
মিচৰ, তুমিও অচুন্নৎসকলৰ মাজত ভগ্ন হ'বা! আৰু তৰোৱালৰ দ্বাৰাই
হত হোৱাসকলৰ সৈতে শয়ন কৰিবা। ২৯ ইদোম, তাইৰ ৰজাসকল,
আৰু তাইৰ আটাই প্ৰধান লোক তাত আছে; তেওঁলোক পৰাক্ৰমী
হ'লেও, তৰোৱালৰ দ্বাৰাই হত হোৱাসকলৰ সৈতে তেওঁলোকক ৰখা
হৈছে; তেওঁলোক অচুন্নৎসকলৰ সৈতে, গাতলৈ নামি যোৱাসকলৰ
লগত শুব। ৩০ হত হোৱাসকলেৰে সৈতে নামি যোৱা উত্তৰদেশীয়
অধিপতি আটাইবোৰ, আৰু আটাই চীদোনীয়া লোক তাত আছে!

তেওঁলোকে নিজ নিজ পৰাক্ৰমৰ দ্বাৰাই ত্ৰাস জন্মোৱাতো তেওঁলোকে
লাজ পাইছে, আৰু তেওঁলোকে তৰোৱালৰ দ্বাৰাই হত হোৱাসকলৰ
লগত অচুন্নৎ অৱস্থাৰেই পৰি আছে, আৰু গাতলৈ নামি যোৱাসকলেৰে
সৈতে নিজৰ লাজৰ ভাৰ বৈছে। ৩১ ফৰৌণে তেওঁলোকক দেখি
নিজৰ আটাই লোক সকলৰ বাবে শান্ত্বনা পাব।" এয়েই হৈছে প্ৰভু
যিহোৱাৰ ঘোষণা। ৩২ "কিয়নো মই জীৱিতসকলৰ দেশত তাৰ
ত্ৰাস জন্মাইছিলোঁ, আৰু প্ৰভু যিহোৱাই কৈছে তৰোৱালৰ দ্বাৰাই হত
হোৱাসকলৰ লগত অচুন্নৎসকলৰ মাজত তাক ৰখা হ'ব, ফৰৌণ আৰু
তাৰ আটাই লোক সমূহক ৰখা হ'ব। এয়েই হৈছে প্ৰভু যিহোৱাৰ
ঘোষণা।

**৩৩** পুনৰায় যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, আৰু ক'লে,
২ "হে মনুষ্য সন্তান, তুমি তোমাৰ জাতিৰ সন্তান সকলক এই কথা
ঘোষণা কৰা; তেওঁলোকক কোৱা, 'যেতিয়া মই কোনো দেশৰ বিৰুদ্ধে
তৰোৱাল আনিম, তেতিয়া সেই দেশৰ লোকসকলে তেওঁলোকৰ
মাজৰ পৰা কোনো এজন লোকক লৈ তেওঁলোকৰ কাৰণে তাক প্ৰহৰী
নিযুক্ত কৰিব। ৩ তেওঁ দেশৰ অহিতে তৰোৱাল অহা দেখি শিঙা
বজাই লোকসকলক সতৰ্ক কৰে! ৪ তেতিয়া যদি সেই লোকসকলে
শিঙাৰ শব্দ শুনি সতৰ্ক নহয়, আৰু তৰোৱালে আহি তেওঁলোকক বধ
কৰে, তেনেহ'লে তেওঁলোকৰ ৰক্তপাতৰ দোষ প্ৰতিজনৰ নিজৰ মূৰতে
পৰিব। ৫ যদি কোনো এজন লোকে তেওঁ শিঙাৰ শব্দ শুনিও সতৰ্ক
নহ'ল, তেওঁৰ ৰক্তপাতৰ দোষ তেওঁৰ ওপৰতে পৰিব; কিন্তু যদি
তেওঁ সতৰ্ক হয়, তেনেহ'লে তেওঁ নিজৰ প্ৰাণ ৰক্ষা কৰিব পাৰিব।
৬ কিন্তু প্ৰহৰীয়ে তৰোৱাল অহা দেখিও যদি শিঙা নবজায়, আৰু
লোকসকলক সতৰ্ক হ'বলৈ সুযোগ নিদিয়ে, আৰু তৰোৱালে আহি
তেওঁলোকৰ মাজৰ পৰা কোনো এজন লোকৰ প্ৰাণ লৈ, তেন্তে তেওঁ
নিজৰ অপৰাধৰ কাৰণেই হ'ব, কিন্তু মই প্ৰহৰীৰ হাতৰ পৰা তেওঁৰ
ৰক্তপাতৰ প্ৰতিশোধ ল'ম।' ৭ এতিয়া তুমিও, হে মনুষ্য সন্তান! মই
তোমাক ইস্ৰায়েল বংশৰ প্ৰহৰীস্বৰূপে নিযুক্ত কৰিলোঁ; তুমি মোৰ মুখৰ
পৰা বাক্য শুনি মোৰ নামেৰে তেওঁলোকক সতৰ্ক কৰা। ৮ যদি মই

এজন দুষ্ট লোকক কওঁ, ‘হে দুষ্ট, তুমি নিশ্চয়ে মৰিবা!’ কিন্তু যদি
তুমি সেই দুষ্টজনক তেওঁৰ পথৰ পৰা ঘূৰিবলৈ সতৰ্ক কৰিবলৈ একো
নোকোৱা, তেতিয়া সেই দুষ্ট লোকজনে নিজ অপৰাধৰ কাৰণে মৰিব,
কিন্তু মই তোমাৰ হাতৰ পৰা তেওঁৰ ৰক্তপাতৰ প্ৰতিশোধ ল’ম! ৯
কিন্তু যদি সেই দুষ্ট লোকজনক তেওঁৰ পথৰ পৰা ঘূৰিবলৈ তেওঁৰ
পথৰ বিষয়ে সতৰ্ক কৰা, আৰু তেওঁ নিজ পথৰ পৰা নুঘূৰে, তেন্তে
তেওঁ নিজ অপৰাধৰ কাৰণে মৰিব, কিন্তু তুমি তোমাৰ প্ৰাণ ৰক্ষা
কৰিবা। ১০ গতিকে তুমি, হে মনুষ্য সন্তান, তুমি ইস্ৰায়েলবংশক
কোৱা, ‘তোমালোকে এই কথা কৈছা: আমাৰ অপৰাধ আৰু পাপৰ ভাৰ
আমাৰ ওপৰত আছে আৰু আমি সেইবোৰৰ কাৰণে ধ্বংস হৈ আছোঁ!
তেন্তে আমি কেনেকৈ জীয়াই থাকিম?’ ১১ তুমি তেওঁলোকক কোৱা,
‘প্ৰভু যিহোৱাৰ জীৱনৰ শপত - প্ৰভু যিহোৱাই কৈছে - দুষ্টৰ মৰণত
মই সন্তোষ নাপাওঁ, কিয়নো দুষ্টই যদি নিজ পথৰ পৰা ঘূৰে, তেতিয়া
তেওঁ জীয়াই থাকে! ঘূৰা! তোমালোকৰ কু-পথৰ পৰা তোমালোক
ঘূৰা! কিয়নো হে ইস্ৰায়েল বংশ, তোমালোক কিয় মৰিবা?’ ১২ আৰু
তুমি, হে মনুষ্য সন্তান, তুমি তোমাৰ জাতিৰ সন্তান সকলক কোৱা,
‘ধাৰ্মিকৰ ধাৰ্মিকতাই তেওঁৰ অপৰাধৰ দিনা তেওঁক উদ্ধাৰ কৰিব
নোৱাৰে; আৰু দুষ্টৰ দুষ্টতাৰ বিষয়ে হ’লে, তেওঁ নিজ দুষ্টতাৰ পৰা
ঘূৰা দিনা তাৰ দ্বাৰাই তেওঁ পতিত নহ’ব। কিয়নো ধাৰ্মিক জনে
পাপ কৰিলে নিজ ধাৰ্মিকতাৰ দ্বাৰাই জীয়াই থাকিব নোৱাৰিব। ১৩
যেতিয়া মই ধাৰ্মিকৰ বিষয়ে, “তেওঁ জীয়াই থাকিব!”, এই বুলি কওঁ,
তেতিয়া যদি তেওঁ নিজ ধাৰ্মিকতাত নিৰ্ভৰ কৰি অপৰাধ কৰে, তেন্তে
তেওঁ ধৰ্মকৰ্মবোৰৰ কোনো এটাও সোঁৱৰণ কৰা নহ’ব; তেওঁ কৰা
অপৰাধৰ কাৰণে তেওঁ মৰিব। ১৪ পুনৰায় যেতিয়া মই দুষ্টক কওঁ,
“তুমি অৱশ্যে মৰিবা!” তেতিয়া যদি তেওঁ নিজ পাপৰ পৰা ঘূৰি
ন্যায় আৰু উচিত কাৰ্য কৰে- ১৫ যদি তেওঁ বন্ধক ওলোটাই দিয়ে,
বা চুৰ কৰা বস্তু পুনৰায় ঘূৰাই দিয়ে, আৰু কোনো অপৰাধ নকৰি
জীৱন দায়ক বিধিবোৰত চ’লে, তেন্তে তেওঁ নিশ্চয়ে জীয়াই থাকিব;
তেওঁ নমৰিব। ১৬ তেওঁ কৰা পাপবোৰৰ কোনো পাপকে তেওঁৰ

অহিতে সোঁৱৰণ কৰা নহ'ব; তেওঁ উচিত আৰু ন্যায় কাৰ্য কৰিলে;
তেওঁ অৱশ্যে জীয়াই থাকিব! ১৭ তথাপি তোমাৰ জাতিৰ সন্তান
সকলে কয়, "প্ৰভুৰ পথ ন্যায় নহয়!" কিন্তু তেওঁলোকৰ পথবোৰ হে
ন্যায় নহয়! ১৮ যেতিয়া ধাৰ্মিক জনে নিজ ধাৰ্মিকতাৰ পৰা উলটি
অপৰাধ কৰে, তেতিয়া তেওঁ তাৰ দ্বাৰাই মৰিব। ১৯ আৰু যেতিয়া
দুষ্টই নিজ দুষ্টতাৰ পৰা ঘূৰি উচিত আৰু ন্যায় কাৰ্য কৰে, তেতিয়া
তেওঁ তাৰ দ্বাৰাই জীয়াই থাকিব! ২০ তথাপি তোমালোকে কোৱা,
"প্ৰভুৰ পথ ন্যায় নহয়!" হে ইস্ৰায়েল বংশ, মই তোমালোকৰ নিজ নিজ
আচাৰ-ব্যৱহাৰ অনুসাৰে তোমালোকৰ প্ৰতিজনৰ বিচাৰ কৰিম'!"
২১ আমি দেশান্তৰিত হোৱাৰ দ্বাদশ বছৰৰ দ্বাদশ মাহৰ পঞ্চম দিনা
যিৰূচালেমৰ পৰা ওলাই ৰক্ষা পোৱা এজনে মোৰ ওচৰলৈ আহি মোক
ক'লে, "নগৰখন শত্ৰুৰ হাতত পৰিল!" ২২ পলাই ৰক্ষা পোৱা জন
অহাৰ আগেয়ে সন্ধ্যাৰ সময়ত যিহোৱাৰ হাত মোৰ ওপৰত অৰ্পিত
আছিল; আৰু তেওঁ ৰাতিপুৱাতে মোৰ ওচৰলৈ আহাৰ সময়ত মোৰ
মূখ মেলা হ'ল। সেই কাৰণে মোৰ মূখ মেল খালে; মই আৰু বোবা
হৈ নাথাকিলোঁ! ২৩ তেতিয়া যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল,
আৰু ক'লে, ২৪ "হে মনুষ্য সন্তান, ইস্ৰায়েলৰ ধ্বংসস্থানবোৰত বাস
কৰা লোকসকলে কয়, 'অব্ৰাহাম এজন মাত্ৰ লোক আছিল, তথাপি
তেওঁ দেশ অধিকাৰ কৰিছিল; কিন্তু আমি হ'লে অনেক! অধিকাৰৰ
অৰ্থে দেশ আমাকেই দিয়া হৈছে।' ২৫ এই হেতুকে তেওঁলোকক
কোৱা, 'প্ৰভু যিহোৱাই এই কথা কৈছে: "তোমালোক সতেজ হৈ
মাংস খোৱা, মুৰ্ত্তিবোৰলৈ চকু তোলা আৰু ৰক্তপাত কৰা লোক;
তেন্তে তোমালোকে জানো সঁচাকৈ দেশ অধিকাৰ কৰিবা নে? ২৬
তোমালোকে নিজ নিজ তৰোৱালত নিৰ্ভৰ কৰা, ঘিণলগীয়া কাৰ্য কৰা
আৰু নিজ নিজ ওচৰ-চুবুৰীয়াৰ পত্নীক অশুচি কৰা লোক; তোমালোকে
জানো সঁচাকৈ দেশ অধিকাৰ কৰিবা'?" ২৭ তুমি তেওঁলোকক এই
কথা ক'বা, "প্ৰভু যিহোৱাই এই কথা কৈছে: মোৰ জীৱনৰ শপত,
ধ্বংসস্থান-বোৰত বাস কৰা লোকসকল অৱশ্যে তৰোৱালৰ দ্বাৰাই
পতিত হ'ব, আৰু মুকলি পথাৰত থকাটোক খাবৰ কাৰণে মই বনৰীয়া

জন্তুবোৰক দিম, আৰু দুৰ্গ আৰু গুহাত থকাবোৰ মহামাৰীত মৰিব।
২৮ তাৰ পাছত মই দেশক ধ্বংস আৰু আচৰিতৰ বিষয় কৰিম; তেতিয়া
তাৰ পৰাক্ৰমৰ গৰ্ব্ব খৰ্ব্ব হ’ব, আৰু ইস্ৰায়েল পৰ্ব্বতবোৰ এনেকৈ
ধ্বংস কৰা হ’ব যে, কোনেও সেইবোৰৰ মাজেদি নাযাব’।” ২৯ মই
তেওঁলোকে কৰা তেওঁলোকৰ আটাই ঘিণলগীয়া কাৰ্যৰ কাৰণে মই
দেশখন ধ্বংস আৰু আচৰিতৰ বিষয় কৰিম। তেতিয়া মই যে যিহোৱা,
সেই বিষয়ে তেওঁলোকে জানিব। ৩০ আৰু তুমি, হে মনুষ্য সন্তান -
তোমাৰ বিষয়ে হ’লে, তোমাৰ জাতিৰ সন্তান সকলে দেৱালৰ কাষত
আৰু ঘৰৰ দুৱাৰমুখত তোমাৰ বিষয়ে কথা পাতে; আৰু ভায়েকে
ভায়েকে পৰস্পৰে কোৱাকুই কৰি কয়, “ব’লা, যিহোৱাৰ মুখৰ পৰা
আজি ওলোৱা বাক্য কি, সেই বিষয়ে আমি গৈ ভাববাদীজনৰ পৰা
শুনোহঁক।” ৩১ তেতিয়া মোৰ প্ৰজাসকলে তোমালোকৰ ওচৰলৈ প্ৰায়ে
যিদৰে আহে, সেইদৰে আহিব আৰু তোমালোকৰ আগত বহিব, আৰু
তেওঁলোকে তোমালোকৰ বাক্য শুনিব, কিন্তু সেইদৰে কাৰ্য নকৰিব;
কিয়নো তেওঁলোকে মুখেৰে অধিক প্ৰেম দেখুৱায়, কিন্তু তেওঁলোকৰ
অন্তৰ তেওঁলোকৰ লাভৰ পাছত চলে। ৩২ কিয়নো চোৱা, তুমি
তেওঁলোকৰ কাৰণে সুন্দৰ গীতৰ দৰে, আৰু ভালকৈ বাদ্য কৰিব পৰা
মনোহৰ গান যেন হে; তেওঁলোকে তোমাৰ বাক্য শুনিব, কিন্তু সেইদৰে
কাৰ্য নকৰিব। ৩৩ আৰু যেতিয়া সেয়ে ঘটিব - চোৱা! সেয়ে ঘটিবৰ
দিন ওচৰ হৈছে! - তেতিয়া, তেওঁলোকে তেওঁলোকৰ মাজত যে এজন
ভাববাদী আছিল, সেই বিষয়ে তেওঁলোকে জানিব।

**৩৪** তেতিয়া যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, আৰু ক’লে, ২
“হে মনুষ্য সন্তান, তুমি ইস্ৰায়েলৰ মেৰ-ছাগ ৰখীয়াবোৰৰ বিষয়ে
ভাববাণী প্ৰচাৰ কৰা! ভাববাণী প্ৰচাৰ কৰি তেওঁলোকক কোৱা, প্ৰভু
যিহোৱাই এই কথা কৈছে: “নিজকেই প্ৰতিপালন কৰা ইস্ৰায়েলৰ
মেৰ-ছাগ ৰখীয়াবোৰ সন্তাপৰ পাত্ৰ! মেৰ-ছাগ ৰখীয়াবোৰে জানো
মেৰ-ছাগবোৰক প্ৰতিপালন কৰিব নালাগে? ৩ তোমালোকে তেল
খোৱা, তোমালোকে নোমেৰে পিন্ধা কাপোৰ কৰি লোৱা! তোমালোকে
হৃষ্টপুষ্ট মেৰ-ছাগবোৰ বধ কৰা! কিন্তু জাকক হ’লে তোমালোকে

প্ৰতিপালন নকৰা। ৪ তোমালোকে দুৰ্ব্বলবোৰক সবল নকৰিলা, আৰু
কোনোজন যদি ৰোগত আক্ৰান্ত হৈ আছে তেওঁকো সুস্থ নকৰিলা।
যিসকল ভাগি পৰিছে, তেওঁলোকক তুমি একত্ৰিত নকৰিলা, নাইবা
জাতিচ্যুত লোকক পুনৰাই ঘূৰাই নানিল বা হেৰোৱাজনক নিবিচাৰিলা।
বৰং বল আৰু উপদ্ৰৱেৰে তোমালোকে তেওঁলোকৰ ওপৰত ৰাজত্ব
চলালা। ৫ তেতিয়া ৰখীয়া নোহোৱাত তেওঁলোক ছিন্ন-ভিন্ন হ'ল, আৰু
ছিন্ন-ভিন্ন হোৱাৰ পাছত তেওঁলোক আটাই বনৰীয়া জন্তুৰ আহাৰ
হ'ল। ৬ মোৰ মেৰ-ছাগবোৰে পৰ্ব্বতে পৰ্ব্বতে আৰু প্ৰত্যেক ওখ
গিৰিৰ ওপৰত ভ্ৰমণ কৰিছে, এনে কি, মোৰ মেৰ-ছাগবোৰ গোটেই
পৃথিৱীত ছিন্ন-ভিন্ন হ'ল। তথাপিও তেওঁলোকক চাওঁতা কি বিচাৰোঁতা
কোনো নাই।" ৭ এই হেতুকে হে মেৰ-ছাগ ৰখীয়াবোৰ, যিহোৱাৰ
বাক্য শুনা: ৮ প্ৰভু যিহোৱাৰ এইটোৱেই ঘোষণা, "মোৰ জীৱনৰ
শপত," কিয়নো মেৰ-ছাগ ৰখীয়াবোৰে মোৰ মেৰ-ছাগবোৰ নিবিচৰাত
আৰু মোৰ মেৰ-ছাগবোৰ প্ৰতিপালন নকৰি নিজকেই প্ৰতিপালন
কৰি থকাত, ৰখীয়াসকল নোহোৱা হ'ল, ফলত মোৰ মেৰ-ছাগবোৰ
লুটদ্ৰব্য আৰু আটাই বনৰীয়া জন্তুৰ আহাৰ হ'ল। ৯ এই হেতুকে হে
মেৰ-ছাগ ৰখীয়াবোৰ, যিহোৱাৰ ঘোষণা শুনা: ১০ "প্ৰভু যিহোৱাই
এই কথা কৈছে, চোৱা! মই মেৰ-ছাগ ৰখীয়াবোৰৰ বিপক্ষ, মই
তেওঁলোকৰ হাতৰ পৰা মোৰ মেৰ-ছাগবোৰ আদায় কৰিম। আৰু
তেওঁলোকক মেৰ-ছাগ ৰখীয়া বাবৰ পৰা বৰ্খাস্ত কৰিম; মেৰ-ছাগ
ৰখীয়াসকলে নিজকেই আৰু প্ৰতিপালন নকৰিব, আৰু মোৰ মেৰ-
ছাগবোৰ তেওঁলোকলৈ আহাৰ নহ'বৰ কাৰণে মই তেওঁলোকৰ মুখৰ
পৰা মেৰ-ছাগবোৰক উদ্ধাৰ কৰিম।" ১১ কিয়নো প্ৰভু যিহোৱাই এই
কথা কৈছে: চোৱা! মই নিজেই মোৰ মেৰ-ছাগবোৰৰ বুজ বিচাৰ
ল'ম, আৰু সেইবোৰক বিচাৰি উলিয়াম। ১২ নিজ মেৰ-ছাগবোৰৰ
মাজত থকা দিনা মেৰ-ছাগ ৰখীয়াই ছিন্ন-ভিন্ন হোৱা নিজৰ মেৰ-ছাগৰ
জাকক বিচাৰি উলিওৱাৰ দৰে, মই মোৰ মেৰ-ছাগৰ জাকক বিচাৰি
উলিয়াম; আৰু মেঘে ঢাকি আন্ধাৰ কৰা দিনা, সেইবোৰ ছিন্ন-ভিন্ন
হোৱা আটাই ঠাইৰ পৰা মই সেইবোৰক উদ্ধাৰ কৰিম। ১৩ তেতিয়া

মই আটাই লোকসকলৰ মাজৰ পৰা তেওঁলোকক উলিয়াই আনিম;
আৰু দেশবোৰৰ পৰা সেইবোৰক গোটাই তেওঁলোকক নিজৰ দেশলৈ
আনিম। আৰু ইস্ৰায়েলৰ পৰ্ব্বতত, জুৰিবোৰৰ কাষত আৰু বসতিৰ
যোগ্য ঠাইবোৰত মই সেইবোৰক চৰাম। ১৪ মই উত্তম ঘাঁহনিত
সেইবোৰক চৰাম; আৰু ইস্ৰায়েলৰ ওখ পৰ্ব্বতৰ ওপৰত সেইবোৰ
তেওঁলোকৰ চৰণীয়া ঠাই হ'ব। তেওঁলোকে তাত উত্তম চৰণীয়া ঠাইত
শয়ন কৰিব আৰু ইস্ৰায়েলৰ পৰ্ব্বতৰ ওপৰত পুষ্টিকৰ ঘাঁহনিত চৰিব।
১৫ ময়েই মোৰ মেৰ-ছাগবোৰক চৰাম আৰু মই নিজেই সেইবোৰক
শয়ন কৰাম।" এয়ে প্ৰভু যিহোৱাৰ ঘোষণা। ১৬ "মই হেৰোৱাজনক
বিচাৰিম, জাতিচ্যুত কৰাজনক ঘূৰাই আনিম; মই ভাগি পৰাজনৰ ভগা
ঠাই বান্ধিম, অসুস্থজনক সবল কৰিম। আৰু মই হৃষ্টপুষ্ট আৰু বলীজনক
সংহাৰ কৰিম! আৰু ন্যায়েৰে প্ৰতিপালন কৰিবলৈ তেওঁলোকৰ ৰখীয়া
হ'ম! ১৭ আৰু তোমালোক, হে মোৰ মেৰ-ছাগৰ জাক," প্ৰভু যিহোৱাই
এই কথা কৈছে "চোৱা! তোমালোকৰ বিষয়ে হ'লে, মই এটা এটাকৈ
মেৰ-ছাগৰ জাকৰ বিচাৰ কৰিম, মতা মেৰ-ছাগ আৰু মতা ছাগৰ
সমানে বিচাৰ কৰিম! ১৮ এয়ে তোমালোকৰ মানত সামান্য বিষয়
নে, যে, তোমালোকে উত্তম ঘাঁহনিত চৰিছা, আকৌ তোমালোকৰ
চৰণীয়াৰ অৱশিষ্ট ঘাঁহখিনি তোমালোকৰ ভৰিৰে গচকিছা, আৰু নিৰ্ম্মল
জল পান কৰি, তোমালোকৰ ভৰিৰে অৱশিষ্ট ভাগ ঘোলা কৰিছা? ১৯
কিন্তু এতিয়া মোৰ মেৰ-ছাগবোৰৰ ৰখীয়াৰ দ্বাৰাই চালিত, মোৰ মেৰ-
ছাগবোৰে হ'লে, তোমালোকে তোমালোকৰ ভৰিৰে গচকা ঘাঁহহে
খাবলৈ পায়, আৰু তোমালোকৰ ভৰিৰে ঘোলা কৰা পানীহে পান
কৰিবলৈ পায়।" ২০ এই হেতুকে প্ৰভু যিহোৱাই তেওঁলোকক এই দৰে
কৈছে: "চোৱা! মই, ময়েই হৃষ্টপুষ্ট আৰু ক্ষীণ মেৰ-ছাগবোৰৰ মাজত
বিচাৰ কৰিম, ২১ তোমালোকে দুৰ্ব্বলবোৰক বাহিৰ কৰি ছিন্ন-ভিন্ন
নকৰালৈকে, কোৰেৰে আৰু কান্ধেৰে ঠেলা, আৰু শিঙেৰে আটাইকে
খোচা! ২২ এই কাৰণে মই মোৰ মেৰ-ছাগৰ জাকক ৰক্ষা কৰিম;
তেওঁলোক আৰু লুটদ্ৰব্য নহ'ব। আৰু মই এটা এটাকৈ মেৰ-ছাগৰ
জাকৰ বিচাৰ কৰিম! ২৩ আৰু মই সেইবোৰৰ ওপৰত এজন মাত্ৰ

ৰখীয়া মোৰ দাস দায়ূদক নিযুক্ত কৰিম! তেওঁ সেইবোৰক প্ৰতিপালন
কৰিব; তেৱেঁই সেইবোৰক প্ৰতিপালন কৰি সেইবোৰৰ ৰখীয়া হ'ব।
২৪ কাৰণ মই, যিহোৱাই, মোৰ লোকসকলৰ ঈশ্বৰ হ'ম, আৰু মোৰ
দাস তেওঁলোকৰ মাজত অধিপতি হ'ব! ইয়াক মই, যিহোৱাই ঘোষণা
কৰিলোঁ! ২৫ আৰু মই তেওঁলোকৰ লগত এটি শান্তিৰ নিয়ম স্থাপন
কৰিম, আৰু দেশৰ পৰা হিংসুক জন্তুবোৰ দূৰ কৰিম; যেন তেওঁলোকে
মৰুভূমিত নিৰ্ভয়ে বাস কৰিব, আৰু কাঠনিত টোপনি যাব। ২৬ আৰু
মই তেওঁলোকক, আৰু মোৰ পৰ্ব্বতৰ চাৰিওফালে থকা ঠাইবোৰ
আশীৰ্ব্বাদ যুক্ত কৰিম আৰু মই উচিত সময়ত বৃষ্টি অনাম, আৰু
আশীৰ্ব্বাদযুক্ত বৃষ্টি পৰিব। ২৭ আৰু পথাৰৰ গছে নিজৰ ফল উৎপন্ন
কৰিব, পৃথিৱীয়ে নিজৰ শস্য দিব, আৰু তেওঁলোক নিজৰ দেশত
নিৰ্ভয়ে থাকিব; তেতিয়া মই যে যিহোৱা, ইয়াকে তেওঁলোকে জানিব,
যেতিয়া মই তেওঁলোকৰ যুঁৱলিৰ শলমাৰি ভাঙি তেওঁলোকক বন্ধীকাম
কৰোঁৱাবোৰৰ হাতৰ পৰা তেওঁলোকক উদ্ধাৰ কৰিম। ২৮ আৰু
তেওঁলোক জাতিবোৰৰ লুটদ্ৰব্য আৰু নহ'ব, বা বনৰীয়া জন্তুবোৰে
তেওঁলোকক গ্ৰাস নকৰিব; কিন্তু তেওঁলোকে নিৰাপদে বাস কৰিব,
আৰু তেওঁলোকে শংকিত নহ'ব। ২৯ মই গৌৰৱৰ অৰ্থে তেওঁলোকৰ
বাবে এটি পুলি উৎপন্ন কৰিম; তেওঁলোক দেশত আকালৰ দ্বাৰাই
আৰু বিনষ্ট নহ'ব, বা জাতিবোৰে দিয়া লাজ তেওঁলোকে আৰু ভোগ
নকৰিব। ৩০ তেতিয়া তেওঁলোকে জানিব যে যিহোৱা তেওঁলোকৰ
ঈশ্বৰ, মই তেওঁলোকৰ লগত আছোঁ। তেওঁলোক ইস্ৰায়েলৰ বংশ,
মোৰ প্ৰজা!" প্ৰভু যিহোৱাই ইয়াকে ঘোষণা কৰিছে। ৩১ আৰু প্ৰভু
যিহোৱাই কৈছে, কাৰণ তোমালোক মোৰ মেৰ-ছাগ, মোৰ চৰণীয়া
পথাৰৰ মেৰ-ছাগ, আৰু মোৰ প্ৰজা হোৱা! মই তোমালোকৰ ঈশ্বৰ
হ'ম!" এয়েই প্ৰভু যিহোৱাৰ ঘোষণা'।"

**৩৫** পাছে যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, আৰু ক'লে, ২
"হে মনুষ্য সন্তান, তুমি চেয়ীৰ পৰ্ব্বতৰ ফালে মুখ কৰি তাৰ বিৰুদ্ধে
ভাববাণী প্ৰচাৰ কৰা। ৩ আৰু তাক কোৱা, 'প্ৰভু যিহোৱাই এই কথা
কৈছে: চোৱা! হে চেয়ীৰ পৰ্ব্বত, মই তোমাৰ বিপক্ষ, আৰু মই তোমাৰ

অহিতে মোৰ হাত মেলি তোমাক ধ্বংস কৰিম আৰু বিস্ময়ৰ ঠাই
কৰিম। ৪ মই তোমাৰ নগৰবোৰ উচ্ছন্ন কৰিম, আৰু অৱহেলিত
হ'বা; তেতিয়া মই যে যিহোৱা ইয়াক তুমি জানিবা। ৫ কিয়নো
ইস্রায়েলৰ সন্তান সকলৰ প্ৰতি তোমাৰ চিৰকলীয়া শত্ৰুভাৱ আছে,
আৰু অন্তজনক অপৰাধৰ কালত, তেওঁলোকৰ আপদৰ কালতেই তুমি
তেওঁলোকক তৰোৱালৰ হাতত শোধাই দিলা - ৬ এই কাৰণে, প্ৰভু
যিহোৱাই কৈছে, 'মোৰ জীৱনৰ শপত, মই তোমাক ৰক্তময় কৰিম,
আৰু ৰক্তই তোমাৰ পাছে পাছে খেদি যাব। যিহেতু তুমি ৰক্তময়
ঘিণ কৰা নাছিলা, ৰক্তই তোমাক অনুসৰণ কৰিব। ৭ এইদৰে মই
চেয়ীৰ পৰ্ব্বতক বিস্ময়ৰ আৰু ধ্বংসৰ ঠাই কৰিম, আৰু তাৰ মাজেদি
অহা-যোৱা কৰা লোকক তাৰ পৰা উচ্ছন্ন কৰিম। ৮ আৰু মই তাৰ
হত হোৱা লোকেৰে সৈতে তাৰ পৰ্ব্বতবোৰ পূৰ কৰিম। তোমাৰ
গিৰিবোৰত, তোমাৰ উপত্যকাবোৰত আৰু তোমাৰ আটাই জুৰিবোৰৰ
কাষত তৰোৱালৰ দ্বাৰাই হত হোৱা লোকসকল পতিত হ'ব। ৯ মই
তোমাক চিৰকলীয়া ধ্বংসস্থানত পৰিণত কৰিম। তোমাৰ নগৰবোৰত
কোনেও বসতি নকৰিব, কিন্তু মই যে যিহোৱা, তাক তোমালোকে
জানিবা। ১০ তুমি কৈছা, "সেই দুই জাতিৰ মাজত আৰু সেই দুখন
দেশত যিহোৱা থাকিলেও সেইবোৰ মোৰেই হ'ব, আৰু আমি সেইবোৰ
অধিকাৰ কৰিম।" ১১ এই হেতুকে, প্ৰভু যিহোৱাই কৈছে, মোৰ জীৱনৰ
শপত, 'মই তোমাৰ ক্ৰোধ অনুসাৰে, আৰু তেওঁলোকক ঘিণ কৰি তুমি
দেখুউৱা তোমাৰ ঈৰ্ষা অনুসাৰে মই কাৰ্য কৰিম; আৰু যেতিয়া মই
তোমাক বিচাৰসিদ্ধ দণ্ড দিম, তেতিয়া মই তেওঁলোকৰ মাজত নিজকে
চিনাকি দিম। ১২ গতিকে তুমি জানিবা যে ময়েই যিহোৱা! ইস্রায়েলৰ
পৰ্ব্বতবোৰ ধ্বংস কৰা হ'ল, সেইবোৰ গ্ৰাস কৰিবৰ নিমিত্তে আমাকেই
দিয়া হ'ল, এইবুলি সেইবোৰৰ বিৰুদ্ধে তুমি কোৱা তোমাৰ আটাই
নিন্দা-বাক্য মই শুনিলোঁ। ১৩ আৰু তোমালোকে মোৰ অহিতে নিজ
নিজ মুখেৰে গৰ্ব্ব কৰিলা; আৰু মোৰ বিৰুদ্ধে তোমালোকৰ বাক্য
বঢ়ালা; তাক ময়েই শুনিলোঁ। ১৪ প্ৰভু যিহোৱাই এই কথা কৈছে:
গোটেই পৃথিৱীয়ে আনন্দ কৰা সময়ত মই তোমাক ধ্বংস কৰিম।

১৫ ইস্ৰায়েল বংশৰ আধিপত্য ধ্বংস কৰা হোৱাত যেনেকৈ তুমি তাৰ
ওপৰত আনন্দ কৰিছিলা, তেনেকৈ তোমাৰ অহিতে ময়ো আনন্দ
কৰিম; হে চেয়ীৰ পৰ্ব্বত, হে গোটেই ইদোম, তোমাৰ সকলোকে
ধ্বংস কৰা হ'ব; তাতে, মই যে যিহোৱা, তাক তেওঁলোকে জানিব'!"
৩৬ এতিয়া তুমি, হে মনুষ্য সন্তান, তুমি ইস্ৰায়েলৰ পৰ্ব্বতবোৰৰ
আগত ভাববাণী প্ৰচাৰ কৰি কোৱা, 'হে ইস্ৰায়েলৰ পৰ্ব্বতবোৰ,
তোমালোকে যিহোৱাৰ বাক্য শুনা! ২ প্ৰভু যিহোৱাই এই কথা কৈছে:
শত্ৰুৱে তোমালোকৰ অহিতে কৈছে, "ভাল হৈছে", আৰু "পুৰাতন
উচ্চস্থানবোৰ আমাৰ অধিকাৰ হ'ল'।" ৩ এই হেতুকে ভাববাণী প্ৰচাৰ
কৰি কোৱা, 'প্ৰভু যিহোৱাই এই কথা কৈছে: জাতিবোৰ অৱশিষ্ট লোকে
তোমালোকক অধিকাৰ কৰিবৰ কাৰণে, তেওঁলোকে তোমালোকক
ধ্বংস কৰিলে আৰু চাৰিওফালে তোমালোকক গ্ৰাস কৰিলে; আৰু
তোমালোক গপীহঁতৰ গপৰ ও লোকসকলে চৰ্চ্চি ফুৰাৰ বিষয় থ'লো।
৪ এই কাৰণে, হে ইস্ৰায়েলৰ পৰ্ব্বতবোৰ, তোমালোকে প্ৰভু যিহোৱাৰ
বাক্য শুনা: চাৰিওফালে থকা জাতিবোৰৰ অৱশিষ্ট ভাগলৈ লুটদ্ৰব্য
আৰু নিন্দাৰ বিষয় হোৱা পৰ্ব্বত আৰু উপপৰ্ব্বতবোৰক, জুৰি বৈ
থকা ঠাই আৰু উপত্যকাবোৰক, উচ্ছন্ন, ধ্বংসস্থান আৰু পৰিত্যক্ত
নগৰবোৰক প্ৰভু যিহোৱাই এইদৰে কৈছে - ৫ সেইবোৰ লুটদ্ৰব্য
আৰু নিন্দাৰ বিষয় হোৱা হেতুকে প্ৰভু যিহোৱাই এইদৰে কৈছে: লুটৰ
আশাৰে মোৰ দেশ শূণ্য কৰিবলৈ, জাতিবোৰৰ যি অৱশিষ্ট ভাগে আৰু
গোটেই ইদোমে হৃদয়ৰ সম্পূৰ্ণ আনন্দেৰে আৰু প্ৰাণৰ হিংসাৰে নিজৰ
বাবে অধিকাৰৰ অৰ্থে মোৰ দেশ নিৰূপণ কৰিলে, তেওঁলোকৰ অহিতে
মোৰ অন্তৰ্জ্বালাৰ অগ্নিত মই কৈছোঁ। ৬ এতেকে তুমি ইস্ৰায়েলৰ দেশৰ
বিষয়ে ভাববাণী প্ৰচাৰ কৰি পৰ্ব্বত আৰু উপপৰ্ব্বতবোৰক কোৱা, প্ৰভু
যিহোৱাই এই কথা কৈছে: চোৱা! জাতিবোৰে দিয়া লাজ তোমালোকে
ভোগ কৰাৰ কাৰণে মোৰ অন্তৰ্জ্বালাত আৰু মোৰ ক্ৰোধত মই কৈছোঁ।
৭ এই হেতুকে, প্ৰভু যিহোৱাই এই কথা কৈছে: মই হাত দাঙি শপত
খাই কৈছোঁ, তোমালোকৰ চাৰিওফালে থকা জাতিবোৰেহে নিজ নিজ
লাজ ভোগ কৰিব। ৮ কিন্তু হে ইস্ৰায়েলৰ পৰ্ব্বতবোৰ, তোমালোকে

হ'লে, তোমালোকৰ ডালবোৰ বঢ়াবা, আৰু মোৰ প্ৰজা ইস্ৰায়েলৰ
কাৰণে তোমালোকে ফল উৎপন্ন কৰিবা, কিয়নো তেওঁলোকৰ অহা
সময় ওচৰ চাপিছে। ৯ কাৰণ চোৱা, মই তোমালোকৰ সপক্ষ, আৰু
মই তোমালোকলৈ ঘূৰিম; তোমালোকক চহোৱা আৰু তোমালোকত
বোৱা হ'ব। ১০ আৰু মই তোমালোকৰ ওপৰত লোকসকলক, গোটেই
ইস্ৰায়েল বংশক, তাৰ আটাইকে বঢ়াম। আটাইকে! তেতিয়া আৰু
নগৰবোৰত বসতি হ'ব, আৰু উচ্ছন্ন ঠাইবোৰত ঘৰ সজা হ'ব। ১১
আৰু মই তোমালোকৰ ওপৰত মানুহ ও পশু বৃদ্ধি কৰিম তাতে
সেইবোৰ বাঢ়ি বাঢ়ি অধিক প্ৰাণী উৎপন্ন কৰিব। আৰু তেতিয়া
মই তোমালোকৰ দেশ আগৰ কালৰ দৰে বাসস্থান কৰিম, আৰু
তোমালোকৰ আদি অৱস্থাতকৈ তোমালোকক অধিক মঙ্গল দান কৰিম;
তেতিয়াহে মই যে যিহোৱা, তাক তোমালোকে জানিবা। ১২ এনে কি,
মই তোমালোকৰ ওপৰেদি মানুহ, মোৰ প্ৰজা ইস্ৰায়েলে অহা-যোৱা
কৰিব, তুমি তেওঁলোকৰ আধিপত্য হ'বা, আৰু তুমি তেওঁলোকক
পুনৰায় সন্তানহীন নকৰিবা। ১৩ প্ৰভু যিহোৱাই এই কথা কৈছে:
"তুমি মনুষ্য গ্ৰাসকাৰিণী আৰু তোমাৰ জাতিৰ সন্তানহীন-কাৰিণী" বুলি
তেওঁলোকে তোমালোকক কয়; ১৪ এই হেতুকে প্ৰভু যিহোৱাই কৈছে,
তুমি আৰু মনুষ্যক গ্ৰাস নকৰিবা, বা তোমাৰ জাতিক আকৌ সন্তানহীন
নকৰিবা। ১৫ আৰু জাতিবোৰে দিয়া লাজৰ কথা মই তোমাৰ কাণত
আৰু নেপেলাম, লোকসকলৰ ধিক্কাৰ তুমি আৰু ভোগ নকৰিবা, আৰু
তোমাৰ জাতিক আৰু উজুটি নুখুৱাবা, ইয়াক প্ৰভু যিহোৱাই কৈছে। ১৬
তেতিয়া যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, বোলে, ১৭ "হে মনুষ্য
সন্তান, ইস্ৰায়েল বংশই যেতিয়া নিজ দেশত বসতি কৰিছিল, তেতিয়া
তেওঁলোকে নিজৰ আচাৰ-ব্যৱহাৰ আৰু কাৰ্যেৰে তাক অশুচি কৰিছিল;
মোৰ আগত তেওঁলোকৰ আচাৰ-ব্যৱহাৰ, ঋতুস্নান হোৱা স্ত্ৰীৰ অশৌচৰ
দৰে আছিল। ১৮ এই হেতুকে, তেওঁলোকে দেশত ৰক্তপাত কৰাৰ
কাৰণে, আৰু তেওঁলোকৰ মুৰ্ত্তিৰে তাক অশুচি কৰাৰ কাৰণে, মই
তেওঁলোকৰ ওপৰত মোৰ কোপ বৰষালোঁ। ১৯ আৰু মই তেওঁলোকক
জাতিবোৰৰ মাজত ছিন্নভিন্ন কৰিলোঁ, তেওঁলোক দেশবোৰৰ মাজত

গোট গোট হ'ল; তেওঁলোকৰ আচাৰ-ব্যৱহাৰ আৰু কাৰ্য অনুসাৰে মই
তেওঁবিলাকক বিচাৰ সিদ্ধ দণ্ড দিলোঁ। ২০ তেতিয়া তেওঁলোক যি
জাতিবোৰৰ গুৰিলৈ গ'ল, সেই জাতিবোৰ গুৰিলৈ গৈ তেওঁলোকে
মোৰ পবিত্ৰ নাম অপবিত্ৰ কৰিলে; কিয়নো লোকে তেওঁলোকৰ বিষয়ে
কৈছিল, ইহঁত যিহোৱাৰ প্ৰজা, আৰু তেওঁৰেই দেশৰ পৰা ওলাই অহা
লোক। ২১ কিন্তু ইস্ৰায়েল-বংশ যোৱা জাতিবোৰৰ মাজত তেওঁলোকে
অপবিত্ৰ কৰা মোৰ পবিত্ৰ নামৰ কাৰণে মোৰ দয়া জন্মিল। ২২
এই হেতুকে তুমি ইস্ৰায়েল বংশক কোৱা, 'প্ৰভু যিহোৱাই এই কথা
কৈছে: হে ইস্ৰায়েল বংশ, মই তোমালোকৰ কাৰণে কাৰ্য নকৰোঁ,
কিন্তু তোমালোক যোৱা জাতিবোৰৰ মাজত তোমালোকে অপবিত্ৰ
কৰা মোৰ পবিত্ৰ নামৰ কাৰণেহে কৰিম। ২৩ আৰু জাতিবোৰৰ
মাজত তেওঁলোকে অপবিত্ৰ কৰা জাতিবোৰ মাজত অপবিত্ৰীকৃত
হোৱা মোৰ মহৎ নাম মই পবিত্ৰ কৰিম; আৰু প্ৰভু যিহোৱাই কৈছে,
যেতিয়া মই জাতিবোৰৰ সাক্ষাতে তোমালোকৰ মাজত পবিত্ৰীকৃত
হ'ম, তেতিয়া মই যে যিহোৱা, ইয়াকে জাতিবোৰে জানিব। ২৪ কিয়নো
মই জাতিবোৰৰ মাজৰ পৰা তোমালোকক লৈ, আটাই দেশৰ পৰা
তোমালোকক গোটাই তোমালোকৰ নিজ দেশলৈ লৈ যাম। ২৫ তেতিয়া
মই তোমালোকৰ ওপৰত শুচি জল ছটিয়াম, তাতে তোমালোক শুচি
হ'বা; মই তোমালোকৰ আটাই অশৌচৰ পৰা আৰু তোমালোকৰ
আটাই মুৰ্ত্তিৰ পৰা তোমালোকক শুচি কৰিম। ২৬ মই তোমালোকক
এক নতুন হৃদয় দিম, আৰু তোমালোকৰ অন্তৰত এক নতুন আত্মা
স্থাপন কৰিম; আৰু মই তোমালোকৰ শৰীৰৰ পৰা শিলৰূপ মন গুচাই
তোমালোকক মাংসৰূপ মন দিম। ২৭ আৰু মই তোমালোকৰ অন্তৰত
মোৰ আত্মা স্থাপন কৰি, তোমালোকক মোৰ বিধিবোৰত চলাম; তাতে
তোমালোকে মোৰ শাসন প্ৰণালীবোৰ পালন কৰি সেই মতে কাৰ্য
কৰিবা। ২৮ আৰু মই তোমালোকৰ পূৰ্বপুৰুষসকলক দিয়া দেশত
তোমালোকে বাস কৰিবা; আৰু তোমালোক মোৰ প্ৰজা হ'বা, আৰু
মই তোমালোকৰ ঈশ্বৰ হ'ম। ২৯ মই তোমালোকৰ আটাই অশৌচৰ
পৰা তোমালোকক ৰক্ষা কৰিম; আৰু মই ঘেঁহুধান আহ্বান কৰি তাক

বৃদ্ধি কৰিম, আৰু তোমালোকৰ ওপৰত দুৰ্ভিক্ষভাৰ অৰ্পণ নকৰিম।
৩০ তোমালোকে জাতিবোৰৰ মাজত দুৰ্ভিক্ষৰ দুৰ্ণাম আৰু নাপাবৰ
কাৰণে গছৰ ফল আৰু পথাৰৰ উৎপন্ন বস্তু মই বৃদ্ধি কৰিম। ৩১
তেতিয়া তোমালোকে তোমালোকৰ কু-আচৰণ আৰু মন্দ কাৰ্যবোৰ
সোঁৱৰণ কৰিবা; তোমালোকৰ অপৰাধ আৰু ঘিণলগীয়া কাৰ্যৰ কাৰণে
তোমালোকে নিজৰ দৃষ্টিত নিজকে ঘিণাবা। ৩২ প্ৰভু যিহোৱাই কৈছে,
তোমালোকলৈ চাই যে মই এই কাৰ্য নকৰোঁ, 'ইয়াক তোমালোকে
জনা উচিত; হে ইস্ৰায়েল-বংশ, তোমালোকৰ আচাৰ-ব্যৱহাৰৰ কাৰণে
তোমালোক লজ্জিত আৰু বিৱৰ্ণ হোৱা।' ৩৩ প্ৰভু যিহোৱাই এই কথা
কৈছে, তোমালোকৰ আটাই অপৰাধৰ পৰা মই তোমালোকক শুচি
কৰা দিনা মই নগৰবোৰ বাসস্থান কৰিম, আৰু উচ্ছন্ন ঠাইবোৰ পুণৰায়
নিৰ্ম্মাণ কৰা হ'ব। ৩৪ আৰু যি দেশ আটাই বাটৰুৱাৰ সাক্ষাতে উচ্ছন্ন
আছিল, সেই উচ্ছন্ন দেশ তোমালোকে চহাবা। ৩৫ আৰু তেতিয়া
তেওঁলোকে ক'ব, "এই যি দেশ ধ্বংস কৰা হৈছিল, এই দেশ এদন
বাৰীৰ নিচিনা হ'ল, আৰু এই যি নগৰবোৰ ধ্বংসস্থান, উচ্ছন্ন, আৰু
ভগ্ন হৈছিল, এই নগৰবোৰ গড়েৰে আবৃত আৰু বাসস্থান হ'ল।" ৩৬
তেতিয়া মই যিহোৱায়েই যে ভগা ঠাইবোৰ পুনৰায় নিৰ্ম্মাণ কৰিলোঁ,
আৰু ধ্বংস কৰা ঠাই বাৰী কৰিলোঁ, ইয়াকে তোমালোকৰ চাৰিওফালে
অৱশিষ্ট থকা জাতিবোৰে তেতিয়া জানিব। মই যিহোৱাই ইয়াক কলোঁ,
আৰু ইয়াক সিদ্ধও কৰিম।' ৩৭ প্ৰভু যিহোৱাই এই দৰে কৈছে: 'আৰু
এটা কথা আছে; মই যেন ইস্ৰায়েল বংশৰ কাৰণে ইয়াক কৰিম,
সেইবাবে তেওঁলোকে মোৰ আগত প্ৰাৰ্থনা কৰিবলৈ মই বাট চাই
থাকিম; মই মেৰ-ছাগৰ জাকৰ দৰে তেওঁলোকক মানুহেৰে বৃদ্ধি
কৰিম। ৩৮ পবিত্ৰ মেৰ-ছাগৰ জাকৰ, যিৰূচালেমৰ নিৰূপিত উৎসৱৰ
মেৰ-ছাগৰ জাকৰেই দৰেই ধ্বংস নগৰবোৰ মানুহৰ জাকেৰে পৰিপূৰ্ণ
হ'ব; তাতে, মই যে যিহোৱা, তাক তেওঁলোকে জানিব'।"

**৩৭** পাছত যিহোৱাৰ হাত মোৰ ওপৰত অৰ্পিত হ'ল, আৰু যিহোৱাই
নিজ আত্মাৰে মোক লৈ গৈ উপত্যকাটিৰ মাজত থলে। সেই উপত্যকা
হাড়েৰে পৰিপূৰ্ণ আছিল। ২ তেওঁ সেইবোৰৰ ওচৰে ওচৰে এইদৰে

চাৰিওফালে মোক ফুৰালে। আৰু চোৱা! সেই উপত্যকাটিত অনেক
অনেক হাড় আছিল। আৰু চোৱা! সেইবোৰ অতি শুকান। ৩ তেওঁ
মোক ক'লে, "হে মনুষ্য সন্তান, এই হাড়বোৰ জীৱ পাৰেনে?" তেতিয়া
মই ক'লোঁ, "হে প্ৰভু যিহোৱা, আপুনিহে জানে!" ৪ তেতিয়া তেওঁ
মোক ক'লে, "তুমি এই হাড়বোৰৰ আগত ভাববাণী প্ৰচাৰ কৰা,
আৰু এইবোৰক কোৱা, 'হে শুকান হাড়বিলাক! যিহোৱাৰ বাক্য
শুনা। ৫ প্ৰভু যিহোৱাই এই হাড়বোৰক এই কথা কৈছে: "চোৱা! মই
তোমালোকৰ ভিতৰত নিশ্বাস সুমুৱাম; তাতে তোমালোক জীৱা।
৬ আৰু মই তোমালোকৰ ওপৰত সিৰ দিম, মাংস উৎপন্ন কৰিম,
তোমালোকক ছালেৰে ঢাকিম, আৰু তোমালোকৰ ভিতৰত প্ৰাণবায়ু
দিম; তাতে তোমালোক জীৱা, আৰু মই যে যিহোৱা, তাক তোমালোকে
জানিবা'।" ৭ পাছত মই আজ্ঞা পোৱাৰ দৰে ভাববাণী প্ৰচাৰ কৰিলোঁ;
মই প্ৰচাৰ কৰোঁতে এটি শব্দ হ'ল, মৰ মৰ শব্দ হ'ল। আৰু হাড়বোৰ
গোটখাই নিজ নিজ হাড়ত লাগিল। ৮ আৰু মই চাই দেখিলোঁ,
সেইবোৰত সিৰ হ'ল, মাংস উৎপন্ন হ'ল, আৰু সেইবোৰক ছালে
ঢাকিলে! কিন্তু সেইবোৰৰ ভিতৰত প্ৰাণ-বায়ু নাছিল। ৯ তেতিয়া তেওঁ
মোক ক'লে, "বায়ুৰ আগত ভাববাণী প্ৰচাৰ কৰা! হে মনুষ্য সন্তান
ভাববাণী প্ৰচাৰ কৰি বায়ুক কোৱা 'প্ৰভু যিহোৱাই এই কথা কৈছে:
হে বায়ু চাৰিওদিশৰ পৰা আহি এই হত লোকবোৰ জীৱৰ নিমিত্তে
ইহঁতৰ ওপৰত বলোওৱা'।" ১০ তেতিয়া তেওঁ মোক আজ্ঞা দিয়াৰ
দৰ, মই ভাববাণী প্ৰচাৰ কৰিলোঁ; তেতিয়া সিহঁতৰ ভিতৰত প্ৰাণ-
বায়ু সোমালত সিহঁত জীলে! আৰু তেতিয়া অতিশয় মহাবাহিনী হৈ
নিজ নিজ ভৰিত ভৰ দি থিয় হ'ল। ১১ আৰু ঈশ্বৰে মোক ক'লে,
"হে মনুষ্য সন্তান, এই হাড়বোৰেই ইস্ৰায়েলৰ গোটেই বংশ। চোৱা!
তেওঁলোকে কয়, 'আমাৰ হাড়বোৰ শুকাল, আৰু আমাৰ আশা নাইকিয়া
হ'ল, আমি নিচেইকৈ উচ্ছন্ন হ'লো!' ১২ এই হেতুকে তুমি ভাববাণী
প্ৰচাৰ কৰি তেওঁলোকক কোৱা, 'প্ৰভু যিহোৱাই এই কথা কৈছে:
চোৱা! হে মোৰ প্ৰজাসকল, মই তোমালোকৰ মৈদামবোৰ মুকলি
কৰিম, আৰু তোমালোকৰ মৈদামৰ পৰা তোমালোকক উলিয়াম! আৰু

মই তোমালোকক ইস্ৰায়েল দেশলৈ লৈ যাম! ১৩ তেতিয়া হে মোৰ
প্ৰজাসকল, মই যেতিয়া তোমালোকৰ মৈদামবোৰ মুকলি কৰিম, আৰু
তোমালোকৰ মৈদামৰ পৰা তোমালোকক উলিয়াম তেতিয়া, মই যে
যিহোৱা, ইয়াকে তোমালোকে জানিবা। ১৪ আৰু মই তোমালোকৰ
অন্তৰত মোৰ আত্মা স্থাপন কৰিম, তেতিয়া তোমালোক জীৱা, আৰু
মই তোমালোকৰ দেশত তোমালোকক বহুৱাম; আৰু মই যিহোৱায়েই
যে ইয়াক কলোঁ, আৰু ইয়াক সিদ্ধও কৰিলোঁ'।" তাক তোমালোকে
জানিবা, ইয়াক যিহোৱাই কৈছে। ১৫ তেতিয়া যিহোৱাৰ বাক্য মোৰ
গুৰিলৈ আহিল, বোলে, ১৬ "এতিয়া তুমি, হে মনুষ্য সন্তান, তুমি নিজৰ
কাৰণে এডাল কাঠ লৈ তাৰ ওপৰত এই কথা লিখা, 'যিহূদাৰ আৰু
তেওঁৰ লগৰীয়া ইস্ৰায়েলৰ সন্তান সকল।' আৰু এডাল কাঠ লৈ তাৰ
ওপৰত এই কথা লিখা, 'যোচেফৰ, অৰ্থাৎ ইফ্ৰয়িমৰ আৰু তেওঁৰ
লগৰীয়া ইস্ৰায়েলৰ আটাই বংশৰ কাঠ।' ১৭ আৰু সেই দুডাল তোমাৰ
হাতত এডাল হ'বৰ কাৰণে এডালৰ লগত আন ডাল লগ লগাই তোমাৰ
কাৰণে এডাল কৰা। ১৮ 'আৰু এইবোৰৰ দ্বাৰাই তুমি কি বুজাইছা,
তাক তুমি আমাক নজনাবানে?' এইবুলি তোমাৰ জাতিৰ সন্তানসকলে
যেতিয়া তোমাক সুধিব, ১৯ তেতিয়া তুমি তেওঁলোকক ক'বা, 'প্ৰভু
যিহোৱাই এই কথা কৈছে: চোৱা! মই ইফ্ৰয়িমৰ হাতত থকা, যোচেফৰ
কাঠডাল, আৰু তেওঁৰ লগৰীয়া ইস্ৰায়েলৰ ফৈদবোৰক লৈ, যিহূদাৰ
কাঠডালৰ লগতে লগ লগাই এডাল কৰিম, আৰু তেওঁলোক মোৰ
হাতত এডাল হ'ব!' ২০ তেতিয়া তুমি লিখা কাঠ দুডাল তেওঁলোকৰ
আগত তোমাৰ হাতত থাকিব। ২১ আৰু তুমি তেওঁলোকক কোৱা,
'প্ৰভু যিহোৱাই এই কথা কৈছে: চোৱা! ইস্ৰায়েলৰ সন্তান সকল
যোৱা জাতিবোৰৰ মাজৰ পৰা মই তেওঁলোকক লৈ চাৰিওফালৰ পৰা
তেওঁলোকক গোটাই তেওঁলোকৰ নিজ দেশলৈ লৈ যাম। ২২ পাছে
মই দেশত ইস্ৰায়েলৰ পৰ্ব্বতবোৰৰ ওপৰত তেওঁলোকক এক জাতি
কৰিম, আৰু এজন ৰজা তেওঁলোকৰ আটাইৰে ৰজা হ'ব; তেওঁলোক
পুনৰায় দুই জাতি নহ'ব, বা কেতিয়াও দুই ৰাজ্য বিভক্ত নহ'ব। ২৩
আৰু তেওঁলোকৰ নিজৰ মুৰ্ত্তিৰে, নিজৰ ঘিণলগীয়া বস্তুৰে, নাইবা

নিজৰ অপৰাধৰ কোনো অপৰাধেৰে নিজক আৰু অশুচি নকৰিব;
কিন্তু তেওঁলোকে পাপ কৰা তেওঁলোকৰ আটাই বাসস্থানৰ পৰা মই
তেওঁলোকক ৰক্ষা কৰিম, আৰু তেওঁলোকক শুচি কৰিম; তেতিয়া
তেওঁলোক মোৰ প্ৰজা হ'ব, আৰু মই তেওঁলোকৰ ঈশ্বৰ হ'ম। ২৪
আৰু মোৰ দাস দায়ুদ তেওঁলোকৰ ওপৰত ৰজা হ'ব, আৰু তেওঁলোক
সকলোৰে এজন ৰখীয়া হ'ব; তেওঁলোকে মোৰ শাসন-প্ৰণালী বোৰত
চলিব, আৰু মোৰ বিধিবোৰ পালন কৰি সেই মতে কাৰ্য কৰিব। ২৫
আৰু তোমালোকৰ পূৰ্বপুৰুষসকলে বাস কৰা, মোৰ দাস যাকোবক মই
দিয়া দেশখনত তেওঁলোকে বাস কৰিব; তেওঁলোকে তেওঁলোকৰ পুত্ৰ-
পৌত্ৰাদিক্ৰমে চিৰকাললৈকে তাত বাস কৰিব, আৰু মোৰ দাস দায়ুদ
চিৰকাললৈকে তেওঁলোকৰ অধিপতি হ'ব। ২৬ ইয়াৰ বাহিৰে মই
তেওঁলোকৰ লগত এটি শান্তিৰ নিয়ম কৰিম; সেয়ে তেওঁলোকে সৈতে
এটি চিৰকলীয়া নিয়ম হ'ব; মই তেওঁলোকক স্থাপন কৰি তেওঁলোকক
বৃদ্ধি কৰিম, আৰু চিৰকাললৈকে তেওঁলোকৰ মাজত মোৰ ধৰ্মধাম
স্থাপন কৰিম। ২৭ মোৰ আবাসো তেওঁলোকৰ লগত থাকিব, আৰু
মই তেওঁলোকৰ ঈশ্বৰ হ'ম, আৰু তেওঁলোক মোৰ প্ৰজা হ'ব! ২৮
আৰু যেতিয়া মোৰ ধৰ্মধাম তেওঁলোকৰ মাজত চিৰকাললৈকে থাকিব,
তেতিয়া মই যে ইস্ৰায়েলক পবিত্ৰ কৰোঁতা যিহোৱা, তাক জাতিবোৰে
জানিব'!"

**৩৮** পাছত যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, আৰু ক'লে, ২
"হে মনুষ্য সন্তান, মাগোগদেশীয়, ৰোচ, মেচেক আৰু তুবলৰ অধিপতি
গোগৰ ফাললৈ মুখ কৰা; তাৰ বিৰুদ্ধে ভাববাণী প্ৰচাৰ কৰি কোৱা! ৩
'প্ৰভু যিহোৱাই এই কথা কৈছে, চোৱা! ৰোচ, মেচেক আৰু তুবলৰ
অধিপতি হে গোগ, মই তোমাৰ বিপক্ষ। ৪ মই তোমাক ওলোটাম, আৰু
তোমাৰ জামুদাঁতৰ গুৰিত হাঁকোটা লগাম; আৰু তোমাক আৰু তোমাৰ
ঘোঁৰা আৰু অশ্বাৰোহী আদি আটাই সৈন্যসামন্তকে উলিয়াম; তেওঁলোক
আটাইবোৰ সু-সজ্জিত, ফৰ আৰু ঢাল ধৰা মহাদল; তেওঁলোক
আটাইবোৰ তৰোৱালধাৰী। ৫ তেওঁলোকৰ লগত পাৰস্য, কুচ আৰু
পূট আছে; তেওঁলোক আটাইবোৰ ঢাল লোৱা, আৰু শিৰোৰক্ষক টুপি

পিন্ধা। ৬ গোমৰ আৰু তাৰ আটাই দলসমূহ, উত্তৰৰ অন্ত ভাগত থকা
তোগৰ্মাৰ বংশ আৰু তাৰ আটাই দলসমূহ আদি কৰি অনেক অনেক
জাতি তোমাৰে সৈতে আছে। ৭ তুমি যুগুত হোৱা! নিজকে যুগুত
কৰা; তুমি নিজৰ ওচৰত গোট খোৱা দলসমূহে সৈতে যুগুত হোৱা,
আৰু তুমি তেওঁলোকৰ ৰখীয়া হোৱা। ৮ বহুদিনৰ পাছত তোমাৰ
সৈন্য সমূহ গোটোৱা হ'ব; তৰোৱালৰ মুখৰ পৰা ৰক্ষা পোৱা, অনেক
জাতি সমূহৰ পৰা গোটোৱা লোকসকলৰ দেশলৈ, বহুকালৰ পৰা
উচ্ছন্ন হোৱা ইস্রায়েলৰ পৰ্ব্বতবোৰলৈ বচৰবোৰৰ শেষ ভাগত তুমি
যাত্রা কৰিবা; কিন্তু সেই দেশৰ লোকসকলক জাতিবোৰৰ মাজৰ পৰা
উলিওৱা হ'ল আৰু তেওঁলোক আটায়ে নিৰাপদে বাস কৰিছে! ৯ তুমি
উঠি ধুমুহাৰ দৰে যাত্রা কৰিবা; তুমি আৰু তোমাৰ আটাই দলসমূহে
আৰু তোমাৰে সৈতে অনেক জাতিয়ে মেঘৰ দৰে দেশ ঢাকিবা। ১০
প্ৰভু যিহোৱাই এইদৰে কৈছে: 'সেই দিনা তোমাৰ মনত নানা ভাব
উদয় হ'ব আৰু তুমি কু-কল্পনা কৰিবা।' ১১ আৰু তুমি ক'বা, 'লুট
কৰিবলৈ আৰু বস্তু কাঢ়ি আনিবলৈ, বৰ্ত্তমানে বাস কৰা; আৰু উচ্ছন্ন
ঠাইবোৰৰ অহিতে আৰু জাতিবোৰৰ মাজৰ পৰা গোটোৱা গৰু, ছাগলী,
আদি বস্তু অৰ্জ্জা, পৃথিৱীৰ মাজ ঠাইত বাস কৰা জাতিৰ অহিতে
মোৰ হাত চলাবলৈ, ১২ গড় নোহোৱা গাওঁ থকা দেশখনলৈ মই উঠি
যাম, সুস্থিৰে থকা নিৰাপদে বাস কৰা, সমূলি গড়, ডাং কি কপাট
নোহোৱাকৈ বাস কৰা লোকসকলৰ তালৈ যাম। ১৩ চিবা, দদান,
তৰ্চীচৰ বণিকসকল আৰু তাৰ আটাই ডেকা সিংহবোৰে তোমাক ক'ব,
'আপুনি লুট কৰিবলৈ জানো অহা নাই? বস্তু কাঢ়ি নিবলৈ, সোণ আৰু
ৰূপ লৈ যাবলৈ, গৰু, মেৰ-ছাগ আদি অধিক লুটদ্ৰব্য লৈ যাবলৈ আপুনি
জানো আপোনাৰ দলসমূহক গোটোৱা নাই?' ১৪ এই হেতুকে, হে
মনুষ্য সন্তান, তুমি ভাববাণী প্ৰচাৰ কৰি গোগক কোৱা, 'প্ৰভু যিহোৱাই
এই কথা কৈছে: সেইদিনা যেতিয়া মোৰ প্ৰজা ইস্রায়েলে নিৰাপদে
বাস কৰিব, তেতিয়া তুমি দানো তাক নাজানিবা? ১৫ সেইদৰে তুমি
উত্তৰৰ অন্তভাগৰ নিজ ঠাইৰ পৰা যাত্রা কৰিবা, আৰু তোমাৰে সৈতে
অনেক জাতি যাব; তেওঁলোক আটাইবোৰ অশ্বাৰোহী, তেওঁলোক

মহাদল আৰু পৰাক্ৰমী সৈন্য-সামন্ত?  ১৬ তুমি এডোখৰ মেঘৰ দৰে
দেশ ঢাকি মোৰ প্ৰজা ইস্ৰায়েলৰ অহিতে উঠি যাবা; হে গোগ, মই
জাতিবোৰৰ সাক্ষাতে তোমাৰ মাজত পবিত্ৰীকৃত হ'লে জাতিবোৰে
মোক জানিবৰ কাৰণে শেষ কালত মোৰ দেশৰ বিৰুদ্ধে মই তোমাক
লৈ যাম।'  ১৭ প্ৰভু যিহোৱাই এই কথা কৈছে: 'ইস্ৰায়েলৰ বিৰুদ্ধে
তোমাক আনিম বুলি আগৰ কালত অনেক বছৰ ভাববাণী প্ৰচাৰ কৰা
মোৰ দাস ভাববাদীসকলৰ দ্বাৰাই যাৰ বিষয়ে মই কৈছিলোঁ, তুমিয়েই
সেইজন নোহোৱানে?  ১৮ আৰু প্ৰভু যিহোৱাই কৈছে, 'গোগ, ইস্ৰায়েল
দেশৰ বিৰুদ্ধে যোৱা দিনা মোৰ নাকত ক্ৰোধাগ্নি উঠিব!'  ১৯ কিয়নো
মোৰ অন্তৰ্জ্বালাত আৰু ক্ৰোধাগ্নিত মই কৈছোঁ, ইস্ৰায়েল দেশত সেই
দিনা নিশ্চয়ে মহৎ কম্পন হ'ব যে,  ২০ সমুদ্ৰৰ মাছ, আকাশৰ পক্ষী,
বনৰীয়া জন্তু, মাটিত বগাই ফুৰা আটাই উৰগ জন্তু আৰু পৃথিৱীৰ
ওপৰত থকা সকলো লোক মোৰ সন্মুখত কঁপিব আৰু পৰ্ব্বতবোৰ
পেলোৱা হ'ব, গড়া ঠাইবোৰ খহি পৰিব আৰু প্ৰত্যেক গড় মাটিৰে
সমান হ'ব।  ২১ আৰু প্ৰভু যিহোৱাই কৈছে, মোৰ সকলো পৰ্ব্বতত
মই তাৰ অহিতে তৰোৱাল মাতিম; প্ৰত্যেক মানুহৰ তৰোৱাল নিজ
নিজ ভাইৰ বিৰুদ্ধে হ'ব।  ২২ আৰু মই মহামাৰী আৰু ৰক্তপাতেৰে
তেওঁলোকৰ বিচাৰ উচিত দণ্ড দিম: আৰু মই তেওঁলোকৰ, তেওঁলোকৰ
দলসমূহৰ আৰু তাৰ লগত থকা অনেক জাতিৰ ওপৰত প্লাৱন কৰোঁতা
বৰষুণ, মহাশিলাবৃষ্টি, অগ্নি, আৰু গন্ধক বৰষাম।  ২৩ আৰু মই নিজকে
মহান আৰু পবিত্ৰ কৰিম, আৰু অনেক জাতিৰ আগত নিজকে চিনাকি
দিম; তেতিয়া, মই যে যিহোৱা, ইয়াক তেওঁলোকে জানিব।

৩৯ "এতিয়া তুমি, হে মনুষ্য সন্তান, তুমি গোগৰ বিৰুদ্ধে ভাববাণী
প্ৰচাৰ কৰি কোৱা, প্ৰভু যিহোৱাই এই দৰে কৈছে: ৰোচ, মেচেক, আৰু
তুবলৰ অধিপতি হে গোগ চোৱা! মই তোমাৰ বিপক্ষ।  ২ আৰু মই
তোমাক ওলোটাম, তোমাক চলাই লৈ আহিম, আৰু উত্তৰৰ অন্তভাগৰ
পৰা তোমাক উলিয়াই ইস্ৰায়েলৰ পৰ্ব্বতবোৰৰ ওপৰলৈ তোমাক
আনিম।  ৩ আৰু মই প্ৰহাৰ কৰি তোমাৰ ধনু তোমাৰ বাওঁ হাতৰ পৰা
পেলাই দিম আৰু তোমাৰ সোঁ-হাতৰ পৰা তোমাৰ কাঁড়বোৰ পৰি

যোৱা কৰিম। ৪ তুমি ইস্রায়েলৰ পৰ্ব্বতবোৰৰ ওপৰত তোমাৰ আটাই
দলসমূহ আৰু তোমাৰ লগত থকা জাতিবোৰে সৈতে পৰি থাকিবা;
তোমাক খাবলৈ মই সকলো বিধৰ হিংসক পক্ষী আৰু বনৰীয়া জন্তু
তোমাক দিম। ৫ প্ৰভু যিহোৱাই কৈছে, তুমি মুকলি পথাৰত পৰি
থাকিবা; কাৰণ ময়েই ইয়াক কলোঁ। ৬ 'আৰু মই মাগোগৰ মাজলৈ,
আৰু দ্বীপবোৰত নিৰাপদে বাস কৰাবোৰৰ মাজলৈ অগ্নি পঠিয়াম;
তেতিয়া, মই যে যিহোৱা, ইয়াকে তেওঁলোকে জানিব। ৭ আৰু মই
মোৰ পবিত্ৰ নাম মোৰ প্ৰজা ইস্ৰায়েলৰ মাজত জনাম আৰু মোৰ পবিত্ৰ
নাম অপবিত্ৰীকৃত হ'বলৈ আৰু নিদিম; তেতিয়া, মই যে যিহোৱা,
ইস্ৰায়েলৰ পবিত্ৰ জনা তাক জাতিবোৰে জানিব। ৮ প্ৰভু যিহোৱাই
কৈছে, চোৱা! সেয়ে আহিছে, সেয়ে সিদ্ধ হ'ব, মই নিজে কোৱা দিন
এয়ে। ৯ সেই সময়ত ইস্ৰায়েলৰ নগৰ নিবাসীসকলে ওলাই গৈ, ফৰ
আৰু ঢাল, ধনু আৰু কাঁড়, হাতৰ লাঠি আৰু যাঠী আদি অস্ত্ৰবোৰ খৰি
কৰি পুৰিব; তেওঁলোকে সাত বছৰলৈকে সেইবোৰ খৰি কৰি পুৰি
থাকিব। ১০ তেওঁলোকে পথাৰৰ পৰা খৰি নানিব আৰু কাঠনিত কোনো
গছ নাকাটিব; কিয়নো তেওঁলোকে অস্ত্ৰবোৰকে খৰি কৰি পুৰিব। প্ৰভু
যিহোৱাই কৈছে, তেওঁলোকক লুট কৰাবোৰক তেওঁলোকে লুট কৰিব
আৰু তেওঁলোকক অপহৰণ কৰাসকলক তেওঁলোকে অপহৰণ কৰিব।
১১ তেতিয়া আৰু মই সেই দিনা ইস্ৰায়েলৰ মাজত সমুদ্ৰৰ পূৱ ফালৰ
বাটৰুৱাসকলৰ উপত্যকাটোত গোগক পুতিবলৈ ঠাই দিম; সেয়ে
বাটৰুৱাৰ বাট বন্ধ কৰিব; সেই ঠাইতে তেওঁলোকে গোগ আৰু তাৰ
আটাই লোক সমূহক পুতিব; আৰু তেওঁলোকে তাৰ নাম হামোন-গোগৰ
[গোগৰ লোক সমূহৰ] উপত্যকা থ'ব। ১২ আৰু দেশ শুচি কৰিবৰ
কাৰণে ইস্ৰায়েল বংশই সাত মাহলৈকে তেওঁলোকক পুতি থাকিব। ১৩
এনে কি, দেশৰ সকলো লোকে তেওঁলোকক পুতিব; প্ৰভু যিহোৱাই
কৈছে, মই গৌৰৱান্বিত হ'বৰ দিনা সেয়ে তেওঁলোকলৈ যশস্যাৰ কাৰণ
হ'ব। ১৪ তেতিয়া লোকসকলে কামত লাগি থাকিব পৰা মানুহক বাচি
ল'ব; তেওঁলোকে দেশ ভ্ৰমণ কৰি কৰি দেশ শুচি কৰিবৰ অৰ্থে মাটিত
পৰি থকা অৱশিষ্টসকলক বাটৰুৱাৰ সহায়ত পুতি থ'ব; সাত মাহৰ

মুৰত তেওঁলোকে বিচাৰি ফুৰিব। ১৫ আৰু কোনো বাটৰুৱাই দেশৰ
মাজেদি যাওঁতে যদি মানুহৰ হাড় দেখে, তেন্তে, পোঁতোতা মানহি
হামোন গোগৰ উপত্যকাত তাক পোতক বুলি তেওঁ তাৰ ওপৰত এটা
চিন দিব। ১৬ আৰু হামোনা [লোক সমূহ] বুলি এখন নগৰৰ নামো হ'ব।
এইদৰে তেওঁলোকে দেশ শুচি কৰিব। ১৭ আৰু হে মনুষ্য সন্তান, প্ৰভু
যিহোৱাই এই দৰে কৈছে: আটাই বিধৰ পক্ষীক আৰু আটাই বনৰীয়া
জন্তুক তুমি কোৱা, "তোমালোকে গোট খাই আহা! তোমালোকে মাংস
খাবলৈ আৰু ৰক্তপান কৰিবলৈ, মোৰ যজ্ঞলৈ, ইস্ৰায়েলৰ পৰ্ব্বতবোৰৰ
ওপৰত মই যি যজ্ঞ কৰিম, তালৈকে চাৰিওফালৰ পৰা আহি একত্ৰিত
হোৱা। ১৮ তোমালোকে বীৰসকলৰ মাংস খাবা আৰু মতা মেৰ-ছাগ,
মেৰ-ছাগ পোৱালি, ছাগ আৰু ভতৰাস্বৰূপ পৃথিৱীৰ অধিপতিসকলৰ
ৰক্ত পান কৰিবা; তেওঁলোক সকলোৱে বাচানৰ হৃষ্টপুষ্ট পশুস্বৰূপ।
১৯ তেতিয়া তোমালোকৰ কাৰণে মই যি যজ্ঞ কৰিম, তাৰ তেল
তোমালোকে তৃপ্ত নোহোৱালৈকে ভোজন কৰিবা আৰু তোমালোকে
মতলীয়া নোহোৱালৈকে তাৰ তেজ পান কৰিবা। ২০ আৰু প্ৰভু
যিহোৱাই কৈছে, তোমালোকে মোৰ মেজত বহি ঘোঁৰা আৰু ৰথ, বীৰ
আৰু আটাই ৰণুৱাক খাই পেট ভৰাবা'।" ২১ তেতিয়া এইদৰে মই
জাতিবোৰৰ মাজত মোৰ গৌৰৱ স্থাপন কৰিম, আৰু মোৰ যি দণ্ড মই
সিদ্ধ কৰিম, আৰু তেওঁলোকৰ ওপৰত মোৰ যি হাত অৰ্পণ কৰিম, তাক
আটাই জাতিয়ে দেখিব। ২২ ইস্ৰায়েল বংশই সেই দিনাৰ পৰা আগলৈ
মই যে তেওঁলোকৰ ঈশ্বৰ যিহোৱা ইয়াক জানিব। ২৩ আৰু জাতিবোৰে
জানিব, যে, ইস্ৰায়েল বংশই নিজ অপৰাধতে দেশান্তৰলৈ গৈছিল;
কাৰণ তেওঁলোকে মোৰ অহিতে বিদ্ৰোহ কৰাত, মই তেওঁলোকৰ
পৰা মোৰ মুখ ঢাকি তেওঁলোকৰ শত্ৰুৰ হাতত তেওঁলোকক শোধাই
দিছিলোঁ, আৰু তেওঁলোক সকলোৱে তৰোৱালৰ দ্বাৰাই পতিত হৈছিল।
২৪ তেওঁলোকৰ অশৌচ আৰু নানা অপৰাধ অনুসাৰে, মই তেওঁলোকলৈ
কাৰ্য কৰিছিলোঁ, আৰু তেওঁলোকৰ পৰা মোৰ মুখ ঢাকিছিলোঁ। ২৫
কিন্তু প্ৰভু যিহোৱাই কৈছে, এতিয়া মই যাকোবৰ বন্দী অৱস্থা পৰিৱৰ্ত্তন
কৰিম, আৰু গোটেই ইস্ৰায়েল বংশক দয়া কৰিম আৰু মোৰ পবিত্ৰ

নামৰ অৰ্থে মই উৎসাহী হ’ম। ২৬ আৰু এতিয়া তেওঁলোকে নিজ দেশত
নিৰাপদে বাস কৰিব, আৰু কোনেও তেওঁলোকক ভয় নেদেখুৱাব, ২৭
যেতিয়া মই তেওঁলোকক জাতিবোৰৰ মাজৰ পৰা ওলোটাই আনি,
তেওঁলোকৰ শত্ৰুৰ দেশবোৰৰ পৰা গোটাই অনেক জাতিৰ সাক্ষাতে
তেওঁলোকৰ মাজত পবিত্ৰীকৃত হ’ম, তেতিয়া তেওঁলোকে নিজৰ লাজৰ
আৰু তেওঁলোকে মোৰ বিৰুদ্ধে কৰা নিজৰ আটাই অপৰাধৰ ভাৰ বব।
২৮ আৰু মই তেওঁলোকক জাতিবোৰৰ মাজলৈ দেশান্তৰ কৰাৰ পাছত
তেওঁলোকৰ দেশলৈ আনি তেওঁলোকক গোটালে, মই যে তেওঁলোকৰ
ঈশ্বৰ যিহোৱা, তাক তেওঁলোকে জানিব আৰু মই তাত তেওঁলোকৰ
কাকো আৰু অৱশিষ্ট নাৰাখিম। ২৯ আৰু মই তেওঁলোকৰ পৰা মোৰ
মুখ আৰু নাঢাকিম; কিয়নো প্ৰভু যিহোৱাই কৈছে, মই ইস্ৰায়েল-বংশৰ
ওপৰত মোৰ আত্মা বাকি দিম।”

**৪০** আমি বাবিলনৰ পৰা দেশান্তৰিত হোৱাৰ পঁচিশ বছৰৰ বছৰি,
বছৰৰ আৰম্ভণত, মাহৰ দশম দিনা, নগৰখন প্ৰহাৰিত হোৱাৰ চতুৰ্দ্দশ
বছৰৰ সেই দিনাই যিহোৱাই তেওঁৰ হাত মোৰ ওপৰত দি মোক
তালৈ নিলে। ২ তেওঁ মোক ঈশ্বৰীয় দৰ্শনত ইস্ৰায়েল দেশলৈ নি
এখন অতিশয় ওখ পৰ্ব্বতত বহুৱালে; তাৰ ওপৰত দক্ষিণফালে এক
নগৰস্বৰূপ গৃহ দেখা গৈছিল। ৩ তেতিয়া তেওঁ মোক তালৈ নিলে, আৰু
চোৱা, হাতত এগছ শণ সূতাৰ ৰছী আৰু এডাল পৰিমান-নল লোৱা
পিতলৰ আভাৰ দৰে আবা থকা এজন পুৰুষ আছিল; তেওঁ বাট-চৰাত
থিয় হৈ আছিল। ৪ পাছে সেই পুৰুষে মোক ক’লে, “হে মনুষ্য সন্তান,
তুমি নিজৰ চকুৰে চোৱা, নিজৰ কাণেৰে শুনা আৰু মই তোমাক যি যি
দেখুৱাম, সেই সকলোলৈ মন দিয়া; কিয়নো মই যেন সেই সকলোকে
তোমাক দেখুৱাম, এই অভিপ্ৰায়েৰেহে তোমাক ইয়ালৈ অনা হ’ল; তুমি
যি যি দেখিবা, সেই সকলোকে ইস্ৰায়েল বংশক জনাবা। ৫ আৰু চোৱা,
গৃহৰ বাহিৰে চাৰিওফালে এটা গড় আছিল, আৰু পুৰুষজনৰ হাতত
জুখিবৰ কাৰণে ছহাত দীঘল এডাল নল আছিল; তাৰ প্ৰত্যেক হাতৰ
জোখ এক হাত চাৰি আঙুল; পাছে তেওঁ গড় জুখিলত, ডাঠে এক
নল, আৰু ওখই এক নল হ’ল। ৬ তেতিয়া তেওঁ পূৱফালে মুখ কৰা

বাট-চৰালৈ আহি তাৰ খটখটিয়েদি উঠিল আৰু তেওঁ সেই বাট-চৰাৰ
দুৱাৰডলি জুখিলত, বহলে এক নল হ'ল; আৰু এক নল বহল আন
দুৱাৰডলিও আছিল। ৭ আৰু প্ৰত্যেক প্ৰহৰী কোঁঠালি এক নল দীঘল
আৰু এক নল বহল আছিল, আৰু সেই কোঁঠালিবোৰ পাঁচ হাত পাঁচ হাত
অন্তৰে আছিল; আৰু গৃহৰ ফালে বাট-চৰাটোৰ বাৰাণ্ডাৰ কাষত থকা
দুৱাৰডলি এক নল আছিল। ৮ তেওঁ বাট-চৰাটোৰ গৃহৰ ফাললৈ থকা
বাৰাণ্ডা জুখি এক নল পালে। ৯ পাছত তেওঁ বাট-চৰাটোৰ বাৰাণ্ডা
জুখি আঠ হাত পালে আৰু বাৰাণ্ডাৰ ওলাই থকা সন্মুখৰ দুই ভাগ জুখি
দুহাত দুহাত পালে আৰু বাট-চৰাটোৰ বাৰাণ্ডা গৃহৰ ফাললৈ আছিল।
১০ আৰু সেই পূৱফালৰ বাট-চৰাটোৰ প্ৰহৰী কোঁঠালি এফালে তিনটা
আনফালে তিনটা আছিল, সেই তিনিওটা একে জোখৰ; আৰু ইফালে
সিফালে থকা, পহৰী কোঁঠালি পৃথক কৰা দেৱালবোৰ একে জোখৰ।
১১ পাছে তেওঁ বাট-চৰাটোৰ প্ৰৱেশস্থানৰ প্ৰস্থ জুখি দহ হাত পালে
আৰু বাট-চৰাটোৰ দৈৰ্ঘ্য জুখি তেৰ হাত পালে। ১২ আৰু প্ৰত্যেক
প্ৰহৰী-কোঁঠালিৰ আগত ইফালে এশ হাতৰ সিফালে এশ হাতৰ সীমা
আছিল আৰু প্ৰত্যেক প্ৰহৰী-কোঁঠালি ইফালে ছহাত সিফালে ছহাত
আছিল। ১৩ আৰু তেতিয়া তেওঁ এটা প্ৰহৰী-কোঁঠালিৰ চালৰ পৰা আন
চাললৈকে বাট-চৰাটো জুখি পঁচিশ হাত বহল পালে, দুৱাৰ সন্মুখা-
সন্মুখি। ১৪ তেতিয়া তেওঁ বাৰাণ্ডাৰ জোখ থিৰ কৰি বিশ হাত পালে;
বাট-চৰাটোৰ কেউফালে থকা চোতালখন বাৰাণ্ডাত লাগি আছিল। ১৫
আৰু বাট-চৰাটোৰ প্ৰৱেশস্থানৰ সন্মুখৰ পৰা বাট-চৰাটোৰ গৃহৰ ফালে
থকা বাৰাণ্ডাৰ সন্মুখলৈ পঞ্চাশ হাত। ১৬ প্ৰহৰী–কোঁঠালিবোৰত,
বাট-চৰাটোৰ ভিতৰে কেউফালে সেইবোৰ পৃথক কৰা দেৱালবোৰত,
আৰু সেইদৰে খিলানবোৰত, চিলিঙি দিয়া খিড়িকি আছিল আৰু সেই
খিড়িকি ভিতৰে কেউফালে আছিল আৰু বাৰাণ্ডাৰ ওলাই থকা সন্মুখৰ
দুই ভাগত খাজুৰ গছৰ আকৃতি আছিল। ১৭ তেতিয়া তেওঁ মোক
বাহিৰ চোতালখনলৈ নিলে আৰু চোৱা, চোতালখনৰ কেউফালে সজা
অনেক কোঁঠালি আৰু শিল পাৰি দিয়া এডোখৰ ঠাই আছিল; সেই
ঠাইডোখৰত ত্ৰিশটা কোঁঠালি আছিল। ১৮ আৰু ঠাইডোখৰ বাট-

চৰাকেইটাৰ কাষে কাষে আছিল; সেয়ে বহলে বাট-চৰাকেইটাৰ
দীঘলৰ সমান সেয়ে শিলপাৰি দিয়া চাপৰ ঠাই। ১৯ পাছত তেওঁ তলৰ
বাট-চৰাটোৰ সন্মূখৰ পৰা ভিতৰৰ চোতালখনৰ সন্মূখলৈ, বাহিৰে প্ৰস্থ
জুখি পূৱ আৰু উত্তৰ দুয়োফালে এশ এশ হাত পালে। ২০ পাছত তেওঁ
বাহিৰ চোতালখনৰ উত্তৰ ফালে মুখ কৰা বাট-চৰাটোৰ দৈৰ্ঘ্য আৰু প্ৰস্থ
জুখিলে। ২১ তাৰ প্ৰহৰী-কোঁঠালি ইফালে তিনিটা সিফালে তিনিটা
আছিল আৰু তাৰ ওলাই থকা সন্মুখৰ দুই ভাগ আৰু তাৰ খিলনিবোৰ
প্ৰথম বাট-চৰাটোৰ পৰিমান মতেই; তাৰ দৈৰ্ঘ্য পঞ্চাশ হাত আৰু প্ৰস্থ
পঁচিশ হাত। ২২ তাৰ খিড়িকিবোৰ, তাৰ খিলনিবোৰ আৰু তাৰ খাজুৰ
গছৰ আকৃতিৰ পূৱফালৰ বাট-চৰাটোৰ পৰিমান মতেই; সাতখাপ গৈ
তাৰ ওপৰত উঠা যায়; তাৰ খিলনিবোৰ ভিতৰ ফালে আছিল। ২৩
উত্তৰফালৰ বাট-চৰাটোৰ আৰু পূৱফালৰ বাট-চৰাটোৰ সন্মুখত ভিতৰ
চোতালখনৰ বাট-চৰা আছিল; আৰু তেওঁ এটা বাট-চৰাৰ পৰা আন
এটা বাট-চৰাটোলৈ জুখি এশ হাত পালে। ২৪ পাছত তেওঁ মোক
দক্ষিণ ফাললৈ নিলে আৰু চোৱা, দক্ষিণফালে মুখ কৰা এটা বাট-চৰা
আছিল আৰু তেওঁ তাৰ ওলাই থকা সন্মুখৰ দুই ভাগ তাৰ খিলনিবোৰ
জুখি সেই পৰিমানতেই পালে। ২৫ তাত আৰু তাৰ কেউফালে থকা
খিলানবোৰত ওপৰে কোৱা খিড়িকিৰ দৰে খিড়িকি আছিল, তাৰ দৈৰ্ঘ্য
পঞ্চাশ হাত আৰু প্ৰস্থ পঁচিশ হাত। ২৬ তাৰ ওপৰত উঠিবলৈ সাতখাপ
আছিল; তাৰ খিলানবোৰ ভিতৰ ফালে আছিল আৰু তাৰ বাৰাণ্ডা ওলাই
থকা সন্মুখৰ দুই ভাগত ইফালে সিফালে খাজুৰ গছৰ আকৃতি আছিল।
২৭ আৰু দক্ষিণ পালে ভিতৰ চোতালখনৰ এটা বাট-চৰা আছিল; তেওঁ
এটা বাট-চৰাৰ পৰা আনটোলৈ দক্ষিণ পালে জুখি এশ হাত পালে।
২৮ পাছে তেওঁ মোক দক্ষিণফালৰ বাট-চৰাইদি ভিতৰ চোতালখনলৈ
নিলে আৰু তেওঁ দক্ষিণৰ বাট-চৰা জুখি সেই পৰিমাণমতেই পালে;
২৯ তাৰ প্ৰহৰী-কোঁঠালিবোৰ, তাৰ পৰা ওলাই থকা বাৰাণ্ডাৰ দুই
ভাগ, আৰু তাৰ খিলানবোৰ সেই পৰিমাণমতেই আছিল; তাত আৰু
তাৰ কেউফালে তাৰ খিলানবোৰত খিড়িকি আছিল; তাৰ দৈৰ্ঘ্য পঞ্চাশ
হাত আৰু প্ৰস্থ পঁচিশ হাত। ৩০ আৰু কেউফালে পঁচিশ হাত দীঘল

আৰু পাঁচ হাত বহল খিলানবোৰ আছিল; ৩১ তাৰ খিলানবোৰ বাহিৰ
চোতালখনৰ ফাললৈ আছিল, আৰু তাৰ বাৰাণ্ডাৰ ওলাই থকা সন্মুখৰ
দুই ভাগত খাজুৰ গছৰ আকৃতি আছিল আৰু তাৰ ওপৰত উঠিবলৈ আঠ
খাপ আছিল। ৩২ পাছত তেওঁ মোক পূৱফাললৈ ভিতৰ চোতালখনৰ
মাজলৈ নিলে আৰু বাট-চৰাটো জুখি সেই পৰিমাণতেই পালে। ৩৩
তাৰ প্ৰহৰী-কোঁঠালিবোৰ, তাৰ বাৰাণ্ডাৰ ওলাই থকা সন্মুখৰ দুই
ভাগ আৰু তাৰ খিলানবোৰ সেই পৰিমাণতেই আছিল; তাত আৰু
তাৰ কেউফালে তাৰ খিলানবোৰত খিড়িকি আছিল; বাট-চৰাটো
পঞ্চাশ হাত দীঘল আৰু পঁচিশ হাত বহল। ৩৪ তাৰ খিলানবোৰ বাহিৰ
চোতালখনৰ ফাললৈ আছিল আৰু ইফালে সিফালে তাৰ বাৰাণ্ডাৰ
ওলাই থকা সন্মুখৰ দুই ভাগত খাজুৰ গছৰ আকৃতি আছিল; আৰু তাৰ
ওপৰত উঠিবলৈ আঠ খাপ আছিল। ৩৫ পাছত তেওঁ মোক উত্তৰ বাট-
চৰাটোলৈ নিলে আৰু তেওঁ তাক জুখি সেই পৰিমাণমতেই পালে।
৩৬ তাৰ প্ৰহৰী-কোঁঠালিবোৰ, তাৰ বাৰাণ্ডাৰ ওলাই থকা সন্মুখৰ দুই
ভাগ আৰু তাৰ খিলানবোৰ সেই পৰিমাণতেই আছিল আৰু কেউফালে
তাত খিড়িকি আছিল; তাৰ দৈৰ্ঘ্য পঞ্চাশ হাত আৰু প্ৰস্থ পঁচিশ হাত
আছিল। ৩৭ তাৰ বাৰাণ্ডা বাহিৰ চোতালৰ ফাললৈ আছিল আৰু তাৰ
ইফালে সিফালে ওলাই থকা সন্মুখৰ দুই ভাগত খাজুৰ গছৰ আকৃতি
আছিল; আৰু তাৰ ওপৰত উঠিবলৈ আঠ খাপ আছিল। ৩৮ প্ৰত্যেক
বাট-চৰাৰ বাৰাণ্ডাৰ ওলাই থকা সন্মুখৰ দুই ভাগৰ ওচৰত দুৱাৰ
থকা এটা এটা কোঁঠালি আছিল; তাত হোম-বলি ধোৱা হয়। ৩৯
হোম-বলি, পাপাৰ্থক-বলি আৰু দোষাৰ্থক বলি কাটিবলৈ বাট-চৰাটোৰ
বাৰাণ্ডাত ইফালে দুখন সিফালে দুখন মেজ আছিল। ৪০ আৰু উত্তৰ
ফালৰ বাট-চৰাটোৰ প্ৰৱেশস্থানত খটখটিৰ ওচৰত বাহিৰে এফালে
দুখন মেজ আছিল আৰু আনফালে বাট-চৰাটোৰ বাৰাণ্ডাৰ দাঁতিত
দুখন মেজ আছিল। ৪১ এইদৰে বাট-চৰাটোৰ ভিতৰত চাৰিখন আৰু
বাট-চৰাটোৰ বাহিৰত চাৰিখন মেজ আছিল; বলি কাটিবলৈ সৰ্ব্বমুঠ
আঠখন মেজ আছিল। ৪২ আৰু হোম-বলিৰ অৰ্থে ডেৰ হাত দীঘল,
ডেৰ হাত বহল, আৰু এক হাত ওখ, কটাশিলৰ এনে চাৰিখন মেজ

আছিল; তাত হোম-বলি আৰু আন আন বলি কটা অস্ত্ৰ ৰখা হয়। ৪৩
আৰু ভিতৰে কেউফালে চাৰি আঙুলিয়া হাঁকোটিবোৰ লগোৱা আছিল
আৰু মেজ কেইখনত উৎসৰ্গ কৰি মাংস থোৱা হয়। ৪৪ আৰু ভিতৰ
বাট-চৰাটোৰ বাহিৰত উত্তৰ বাট-চৰাটোৰ কাষত ভিতৰ চোতালখনত
গায়ন-বায়নসকলৰ কাৰণে কেইটামান কোঁঠালি আছিল, সেইবোৰৰ
মুখ দক্ষিণ ফালে; পূৱ বাট-চৰাটোৰ কাষত উত্তৰ ফালে মুখ কৰা
এটা কোঁঠালি আছিল। ৪৫ আৰু তেওঁ মোক ক'লে, "দক্ষিণফালে মুখ
কৰা এই কোঁঠালিটো গৃহ ৰক্ষক পুৰোহিতসকলৰ কাৰণে। ৪৬ আৰু
উত্তৰ ফালে মুখ কৰা কোঁঠালিটো যজ্ঞ-বেদি ৰক্ষক পুৰোহিতসকলৰ
কাৰণে; তেওঁলোক চাদোকৰ সন্তান; লেবীৰ সন্তান সকলৰ মাজৰ
পৰা তেওঁলোকেই যিহোৱাৰ পৰিচৰ্যা কৰিবলৈ তেওঁৰ গুৰিলৈ আহে।
৪৭ আৰু তেওঁ চোতালখন জুখি এশ হাত দীঘল আৰু এশ হাত বহল
পালে, সেয়ে চাৰিওফালে সমান; যজ্ঞ-বেদিটো গৃহৰ আগত আছিল।
৪৮ পাছত তেওঁ মোক গৃহৰ বাৰাণ্ডালৈ নি, সেই বাৰণ্ডাৰ ওলাই থকা
সন্মুখৰ প্ৰত্যেক ভাগ জুখি, ইফালে পাঁচ হাত সিফালে পাঁচ হাত পালে,
আৰু প্ৰত্যেক প্ৰৱেশস্থানৰ কাষৰ ওলাই থকা ভাগৰ প্ৰস্থ ইফালে তিনি
হাত আনফালে তিনি হাত পালে। ৪৯ বাৰাণ্ডাৰ দৈৰ্ঘ্য বিশ হাত আৰু
প্ৰস্থ বাৰ হাত আছিল আৰু তালৈ উঠিব পৰা খটখটী আছিল; আৰু
বাৰাণ্ডাৰ ওলাই থকা সন্মুখৰ দুই ভাগৰ ওচৰত এফালে এটা স্তম্ভ আৰু
আনফালে এটা স্তম্ভ আছিল।

**৪১** তেতিয়া তেওঁ মোক মন্দিৰৰ গুৰিলৈ নি, তাৰ সন্মুখৰ ওলাই
থকা দুই ভাগ জুখি, এফালে ছহাত আনফালে ছহাত বহল পালে।
সেয়ে তম্বুৰ বহলৰ সমান। ২ আৰু প্ৰৱেশস্থানৰ প্ৰস্থ দহ হাত; আৰু
প্ৰৱেশস্থানৰ সন্মুখৰ দুই ভাগ ইফালে পাঁচ হাত সিফালে পাঁচ হাত
আছিল; আৰু তেওঁ তাৰ দৈৰ্ঘ্য জুখি চল্লিশ হাত আৰু প্ৰস্থ জুখি বিশ
হাত পালে। ৩ তেতিয়া তেওঁ ভিতৰ ফালে গৈ প্ৰৱেশস্থানৰ সন্মুখৰ
ওলাই থকা দুই ভাগ জুখি দুহাত দুহাত পালে আৰু প্ৰৱেশস্থান জুখি
ছহাত পালে; প্ৰৱেশস্থানৰ প্ৰস্থ সাত হাত আছিল। ৪ তেতিয়া তেওঁ
তাৰ দৈৰ্ঘ্য জুখি বিশ হাত পালে আৰু "এয়ে অতি পবিত্ৰ স্থান" বুলি

তেওঁ মোক ক'লে। ৫ তেতিয়া তেওঁ গৃহটিৰ দেৱাল জুখি ছহাত পালে
আৰু চাৰিওফালে গৃহ মেৰাই থকা কিনাৰৰ কোঁঠালিবোৰৰ প্ৰত্যেক
কোঁঠালিৰ প্ৰস্থ জুখি চাৰি হাত পালে। ৬ কিনাৰৰ কোঁঠালিবোৰ
ওপৰা-ওপৰিকৈ তিনি শাৰী আছিল আৰু প্ৰত্যেক শাৰীত ত্ৰিশটা
কোঁঠালি আছিল আৰু কিনাৰৰ কোঁঠালিবোৰ যেন লাগি থাকে, এই
অভিপ্ৰায়ে সেইবোৰ কেউফালৰ কিনাৰৰ কোঁঠালিত গৃহৰ দেৱালত
সোমাল, কিন্তু গৃহৰ দেৱালত সেইবোৰ বন্ধ নাছিল। ৭ আৰু কিনাৰৰ
কোঁঠালিবোৰে গৃহটি মেৰাই যিমান ওপৰলৈ গ'ল, সেইবোৰ সিমানে
বহল হৈ গ'ল, কিয়নো গৃহৰ কেউফালে গৃহৰ মেৰ ক্ৰমে ওখ হৈ
গৈছিল; এই হেতুকে গৃহৰ ফালে প্ৰস্থাই ওপৰলৈ ক্ৰমে বাঢ়িল; এই
কাৰণে লোকে তলৰ কোঁঠালিৰ পৰা ওপৰৰ কোঁঠালিলৈ মাজৰ
কোঁঠালিয়েদি উঠে। ৮ তেতিয়া মই দেখিলোঁ, গৃহৰ চাৰিওফালে ওখ
ভিত্তিমূল আছিল; কিনাৰৰ কোঁঠালিবোৰৰ ভিত্তিমূল দীঘল হাতৰ ছহাত
পৰিমাণৰ সম্পূৰ্ণ এক নল। ৯ কিনাৰৰ কোঁঠালিবোৰৰ বাহিৰ ফালৰ
দেৱালৰ ডাঠ পাঁচ হাত আৰু বাকী শূন্য ঠাইখিনি পাঁচ হাত আছিল। ১০
কেউপিনে গৃহৰ চাৰিওফালে কোঁঠালিবোৰৰ মাজত বিশ হাত বহল
এডোখৰ ঠাই আছিল। ১১ তাত কিনাৰৰ কোঁঠালিবোৰৰ দুৱাৰ বাকী
শূন্য ঠাইডোখৰৰ ফাললৈ আছিল; এখন উত্তৰ ফালে আৰু আনখন
দক্ষিণফালে আছিল; আৰু বাকী শূন্য ঠাইডোখৰৰ প্ৰস্থ কেউফালে
পাঁচ হাত। ১২ আৰু পৃথক কৰা ঠাইৰ সন্মুখত পশ্চিমফালে থকা ঘৰ
সত্তৰ হাত বহল; আৰু ঘৰৰ দেৱালৰ ডাঠ চাৰিওফালে পাঁচ হাত আৰু
তাৰ দৈৰ্ঘ্য নব্বৈ হাত। ১৩ তেতিয়া তেওঁ গৃহ জুখি এশ হাত দীঘল
পালে আৰু পৃথক কৰা ঠাই আৰু দেৱালে সৈতে ঘৰটো জুখি এশ হাত
দীঘল পালে। ১৪ আৰু তেওঁ পূৱফালে গৃহৰ আৰু পৃথক কৰা ঠাইৰ
আগফালৰ প্ৰস্থ জুখি এশ হাত পালে। ১৫ আৰু তেতিয়া পৃথক কৰা
ঠাইৰ মুৰত, তাৰ পাছফালে থকা ঘৰটোৰ দৈৰ্ঘ্য আৰু ইফালে সিফালে
থকা তাৰ ঠেক বাৰাণ্ডাবোৰৰ দৈৰ্ঘ্য জুখি তেওঁ এশ হাত পালে; আৰু
তেওঁ মন্দিৰ, ভিতৰ-মন্দিৰ আৰু চোতালখনৰ বাৰাণ্ডা জুখিলে। ১৬
এই তিনিওটাৰ কেউফালে দুৱাৰডলি, চিলিঙি দিয়া খিড়িকি আৰু

ঠেক বাৰাণ্ডা আছিল; চোতালখনৰ বাৰাণ্ডাৰ সন্মুখত কেউফালে
মজিয়াৰ পৰা খিড়িকিলৈকে তক্তা লগোৱা আছিল: খিড়িকিবোৰ ঢকা
আছিল। ১৭ আৰু দুৱাৰৰ ওপৰ ভাগ, ভিতৰ গৃহটি, বাহিৰৰ ঠাই আৰু
গোটেই দেৱাল, চাৰিওফালে ভিতৰে আৰু বাহিৰে যি যি আছিল,
সেই সকলোকে জোখা হ'ল। ১৮ কৰূব আৰু খাজুৰ গছৰ আকৃতি
এইদৰে কৰা হৈছিল, যে, দুটা দুটা কৰূবৰ আকৃতিৰ মাজত এজোপা
এজোপা খাজুৰ গছৰ আকৃতি আছিল; আৰু প্ৰত্যেক কৰূবৰ দুখন দুখন
মুখ আছিল। ১৯ এইদৰে, এফালে খাজুৰ গছৰ আকৃতিটোৰ পোনে
মানুহৰ মুখ আৰু আনফালে খাজুৰ গছৰ আকৃতিটোৰ পোনে ডেকা
সিংহৰ মুখ আছিল; কেউফালে গোটেই গৃহত এইদৰে কৰা হ'ল। ২০
মজিয়াৰ পৰা দুৱাৰৰ ওপৰলৈকে কৰূব আৰু খাজুৰ গছৰ আকৃতি
কৰা হৈছিল; মন্দিৰৰ দেৱাল এই প্ৰকাৰ আছিল। ২১ মন্দিৰৰ বিষয়ে
হ'লে, দুৱাৰৰ খুটাকেইটা চাৰিসিৰীয়া কৰা আছিল; অতি পবিত্ৰ স্থানৰ
আগফালৰ বিষয়ে হ'লে, তাৰ আকৃতি মন্দিৰৰ আকৃতিৰ নিচিনা।
২২ বেদিটো কাঠৰ, তিনিহাত ওখ আৰু দুহাত দীঘল, তাৰ চুক আৰু
দীঘে পথালিয়ে গোটেই গা কাঠৰ আছিল। পাছে তেওঁ মোক ক'লে,
"এই বেদিয়েই যিহোৱাৰ আগত থকা মেজ।" ২৩ মন্দিৰ আৰু অতি
পবিত্ৰ স্থানৰ দুফলীয়া দুখন দুৱাৰ আছিল। ২৪ আৰু প্ৰত্যেক ফালৰ
ঘূৰাব পৰা দুই দুই খলপ আছিল। এফালে দুখলপ আৰু আনফালে
দুখলপ আছিল। ২৫ দেৱালত কৰাৰ দৰে সেইবোৰত, মন্দিৰৰ দুৱাৰ
কেইখনত কৰূব আৰু খাজুৰ গছৰ আকৃতি কৰা আছিল; আৰু বাহিৰত
বাৰাণ্ডাৰ আগফালৰ ওপৰত ডাঠ কাঠৰ চতি আছিল। ২৬ বাৰাণ্ডাৰ দুই
কাষে, ইফালে সিফালে চিলিঙি দিয়া খিড়িকি আৰু খাজুৰ গছৰ আকৃতি
আছিল; গৃহৰ কিনাৰৰ কোঁঠালিবোৰ আৰু ডাঠ কাঠৰ চতিকেইটা এই
প্ৰকাৰ আছিল।

**৪২** তাৰ পাছত সেই মানুহে মোক উত্তৰ ফালৰ বাটেদি বাহিৰ
চোতালখনলৈ নি আৰু পৃথক কৰা ঠাইৰ সন্মূখত আৰু উত্তৰ ফালৰ
ঘৰটোৰ সন্মুখত থকা কোঁঠালিবোৰলৈ নিলে। ২ আৰু এশ হাত দীঘল
ঠাইৰ আগত উপস্থিত কৰোৱালে; দুৱাৰ উত্তৰ ফালে আছিল; প্ৰস্থ

পঞ্চাশ হাত। ৩ সেই কোঁঠালিবোৰ ভিতৰ চোতালখনৰ বিশ হাতৰ
আগত আৰু বাহিৰ চোতালখনৰ শিলত পাৰি দিয়া ঠাইৰ সন্মুখত
আছিল; তৃতীয় খাপৰ ঠেক বাৰাণ্ডাবোৰ সন্মূখা-সন্মূখিকৈ আছিল।
৪ আৰু ভিতৰ ফালে কোঁঠালিবোৰৰ আগত দহ হাত বহল আৰু
এশ হাত দীঘল এটা অহা-যোৱা কৰা বাট আছিল; আৰু সেইবোৰৰ
দুৱাৰ উত্তৰফালে আছিল। ৫ ওপৰৰ কোঁঠালিবোৰ ঠেক; কিয়নো
ঘৰটোত ঠেক বাৰাণ্ডা কেইটাই তলৰ আৰু মাজৰ কোঁঠালিতকৈ
অধিক ঠাই লৈছিল। ৬ কাৰণ সেইবোৰ তিনিও খাপত আছিল,
আৰু বাহিৰ চোতালখনৰ কোঁঠালিবোৰৰ স্তম্ভৰ দৰে সেইবোৰৰ
স্তম্ভ নাছিল; এই হেতুকে ওপৰৰ কোঁঠালিবোৰ মাটিত থকা তলৰ
কোঁঠালিতকৈ আৰু মাজৰ কোঁঠালিতকৈ অধিক ঠেক আছিল। ৭ আৰু
বাহিৰত, বাহিৰ চোতাললখনৰ ফালে কোঁঠালিবোৰৰ কাষত আৰু
কোঁঠালিবোৰৰ সন্মুখত যি গড় আছিল, সেয়ে পঞ্চাশ হাত দীঘল।
৮ কিয়নো বাহিৰ চোতালখনৰ ফালে থকা কোঁঠালিবোৰৰ দৈৰ্ঘ্য
পঞ্চাশ হাত; কিন্তু মন্দিৰৰ ফালে থকা কোঁঠালিবোৰৰ দৈৰ্ঘ্য এশ
হাত। ৯ বাহিৰ চোতালখনৰ পৰা সেইবোৰ কোঁঠালিত সোমাবলৈ
গ'লে, সেইবোৰৰ ঠাইতকৈ চাপৰত, পূৱফালে সোমোৱা বাট পোৱা
যায়। ১০ চোতালখনৰ গড়ৰ বহলফালে পূৱদিশে পৃথক কৰা ঠাইৰ
আৰু ঘৰটোৰ আগত কোঁঠালিবোৰ আছিল। ১১ এইবোৰৰ আগত
যি এটা বাট আছিল, সেই বাট উত্তৰফালে থকা কোঁঠালিবোৰৰ
সন্মুখৰ বাটৰ নিচিনা যেন দেখা যায়; এইবোৰ সেইবোৰৰ সমানে
দীঘল আৰু বহল আৰু এইবোৰৰ আটাইবোৰ বাহিৰলৈ ওলোৱা বাট
সেইবোৰৰ দৰে আৰু সেই ধৰণেই। ১২ বাটৰ মুৰত, দক্ষিণফালে
থকা কোঁঠালিবোৰৰ দুৱাৰবোৰৰ নিচিনা এখন দুৱাৰ আছিল; সেই
কোঁঠালিবোৰত সোমাবলৈ গ'লে, পূৱফালে ঠিক গড়ৰ সন্মুখত সেই
দুৱাৰ পোৱা যায়। ১৩ তেতিয়া তেওঁ মোক ক'লে, "পৃথক কৰা ঠাইৰ
সন্মুখত থকা উত্তৰ আৰু দক্ষিণৰ কোঁঠালিবোৰ পবিত্ৰ কোঁঠালি;
যিহোৱাৰ ওচৰত থকা পুৰোহিতসকলে তাত অতি পবিত্ৰ বস্তু ভোজন
কৰে; তাত তেওঁলোকে অতি পবিত্ৰ বস্তুবোৰ, ভক্ষ্য নৈবেদ্য, পাপাৰ্থক

বলি আৰু দোষাৰ্থক বলি থয়; কিয়নো সেই ঠাই পবিত্ৰ। ১৪ যেতিয়া
পুৰোহিতসকল পবিত্ৰ স্থানত সোমায়, তেতিয়া তেওঁলোকে তেওঁলোকৰ
পৰিচৰ্যা বস্ত্ৰ তাত নৰখাকৈ তাৰ পৰা বাহিৰ চোতালখনলৈ নাযায়;
কিয়নো সেইবোৰ পবিত্ৰ; তেওঁলোকে আন বস্ত্ৰ পিন্ধি লোকসকলৰ
ঠাইলৈ যায়।" ১৫ পাছত তেওঁ ভিতৰ গৃহ জুখি এঁটালত, পূৰফালেমুখ
কৰা বাট-চৰাইদি মোক উলিয়াই নিলে আৰু চাৰিওফালে গোটেই গৃহ
জুখিলে। ১৬ তেওঁ পূৰফালে পৰিমাণ নলেৰে জুখি পাঁচশ হাত পালে।
১৭ তেওঁ ঘূৰি উত্তৰফালে পৰিমাণ নলেৰে জুখি পাঁচশ হাত পালে। ১৮
তেওঁ দক্ষিণফালে পৰিমাণ নলেৰে জুখি পাঁচশ হাত পালে। ১৯ আৰু
তেওঁ পশ্চিফাললৈ ঘূৰি সেই ফালে পৰিমাণ নলেৰে জুখি পাঁচশ হাত
পালে। ২০ তেওঁ চাৰিওফালে তাক জুখিলে; পবিত্ৰ আৰু সাধাৰণ ঠাইৰ
মাজত প্ৰভেদ কৰিবলৈ, তাৰ চাৰিওফালে পাঁচশ হাত দীঘল আৰু
পাঁচশ হাত বহল এনে এটা গড় আছিল।

**৪৩** পাছত সেই মানুহে বাট-চৰাটোলৈ, পূৰফালে মুখ কৰা বাট-
চৰাটোলৈ মোক নিলে। ২ আৰু চোৱা! পূৰফালৰ পৰা ইস্ৰায়েলৰ
ঈশ্বৰৰ গৌৰৱ আহিল; তেওঁৰ ধ্বনি বহু জল সমূহৰ শব্দৰ দৰে আৰু
পৃথিৱী তেওঁৰ গৌৰৱেৰে উজ্জ্বল হ'ল! ৩ আৰু মই দৰ্শনত দেখা
পদাৰ্থৰ দৰে, নগৰখন ধ্বংস কৰিবলৈ অহা সময়ত মই দৰ্শনত দেখা
পদাৰ্থ আছিল আৰু কবাৰ নদীৰ ওচৰত মই দৰ্শনত দেখা পদাৰ্থৰ
দৰেই এই দৰ্শনত দেখা পদাৰ্থ আছিল। তাতে মই উবুৰি হৈ পৰিলোঁ!
৪ আৰু যিহোৱাৰ গৌৰৱ পূৰফালে মুখ কৰা বাট-চৰাটোৰ বাটেদি
গৃহটিত সোমাল। ৫ তেতিয়া আত্মাই মোক তুলি ভিতৰ-চোতালখনলৈ
নিলে; আৰু চোৱা, যিহোৱাৰ গৌৰৱে গৃহটি পৰিপূৰ্ণ কৰিলে! ৬ আৰু
গৃহটিৰ ভিতৰৰ পৰা এজনে মোক কথা কোৱা মই শুনিবলৈ পালোঁ।
আৰু এজন পুৰুষ মোৰ ওচৰত থিয় হ'লহি। ৭ তেওঁ মোক ক'লে, "হে
মনুষ্য সন্তান, এয়ে মোৰ সিংহাসনৰ আৰু মোৰ ভৰিৰ তলুৱাৰ ঠাই;
ইয়াত মই চিৰকাললৈকে ইস্ৰায়েলৰ সন্তান সকলৰ মাজত বাস কৰিম,
আৰু ইস্ৰায়েল বংশই তেওঁলোকে বা তেওঁলোকৰ ৰজাসকলে নিজৰ
বেশ্যাকৰ্মৰে, আৰু তেওঁলোকৰ ৰজাসকলৰ মৰণ কালত তেওঁলোকৰ

'মৰা শৰেৰে' মোৰ পবিত্ৰ নাম পুনৰায় অশুচি নকৰিব। ৮ তেওঁলোকে
মোৰ দুৱাৰডলিৰ ওচৰত তেওঁলোকৰ দুৱাৰডলি, আৰু মোৰ দুৱাৰ
খুটাৰ ওচৰত তেওঁলোকৰ দুৱাৰ খুঁটা দি, মোৰ আৰু তেওঁলোকৰ
মাজত কেৱল এটা দেৱাল ৰাখি অশুচি নকৰিব। তেওঁলোকে কৰা
তেওঁলোকৰ ঘিণলগীয়া কাৰ্যেৰে তেওঁলোকে মোৰ পবিত্ৰ নাম অপবিত্ৰ
কৰিলে; এই কাৰণে মই ক্ৰোধত তেওঁলোকক নষ্ট কৰিলোঁ। ৯
এতিয়া তেওঁলোকৰ বেশ্যাকৰ্ম আৰু তেওঁলোকৰ ৰজাসকলৰ মৰা
শৰ তেওঁলোকে মোৰ পৰা দূৰ কৰক; তাতে মই তেওঁলোকৰ মাজত
চিৰকাললৈকে বাস কৰিম। ১০ হে মনুষ্য সন্তান, ইস্রায়েল-বংশই
নিজ অপৰাধৰ কাৰণে লাজ পাবৰ কাৰণে তুমি তেওঁলোকক গৃহটি
দেখুউৱা; আৰু সুন্দৰ কৈ গঁথা গৃহটি তেওঁলোকে জোখক। ১১ আৰু
তেওঁলোকে কৰা আটাই কাৰ্যৰ কাৰণে যদি তেওঁলোক লজ্জিত হয়,
তেন্তে তেওঁলোকে গৃহটিৰ সমূদায় আকৃতি আৰু তাৰ আটাই নিয়ম
প্ৰণালী ৰক্ষা কৰি সেই মতে যেন কাৰ্য কৰে, এই অভিপ্ৰায়ে গৃহটিৰ
আকাৰ, তাৰ গঠন, ভিতৰলৈ বাহিৰলৈ অহা যোৱা কৰা তাৰ বাটবোৰ,
তাৰ সকলো প্ৰকাৰ আকাৰ আৰু তাৰ আটাই ব্যৱস্থা তেওঁলোকক
জনোৱা আৰু তেওঁলোকৰ আগতে লিখা। ১২ এয়ে গৃহটিৰ ব্যৱস্থা,
পৰ্ব্বতখনৰ টিঙত তাৰ সমুদায় সীমা চাৰিওফালে পবিত্ৰ হ'ব। চোৱা!
গৃহটিৰ ব্যৱস্থা এয়ে। ১৩ আৰু যজ্ঞ-বেদিটোৰ হাতৰ জোখ এইবোৰেই
সেই হাত, এক হাত চাৰি আঙুল। তল ভাগ এক হাত, প্ৰস্থ এক
হাত আৰু চাৰিওফালে তাৰ কিনাৰৰ বাৰ এবেগেত হ'ব; এয়ে যজ্ঞ-
বেদিটোৰ তলি হ'ব। ১৪ আৰু মাটিত থকা তল ভাগৰ পৰা তল খাপলৈ
দুহাত আৰু বহলে এক হাত হ'ব। ১৫ আৰু যজ্ঞ-বেদিটোৰ ওপৰ ভাগ
চাৰি হাত হ'ব আৰু যজ্ঞ-বেদিটোৰ জুইশালৰ পৰা ওপৰলৈ চাইটা শিং
হ'ব। ১৬ যজ্ঞ-বেদিটোৰ জুইশাল বাৰ হাত দীঘল আৰু বাৰ হাত বহল
হ'ব; তাৰ চাৰিওফালে সমান হ'ব। ১৭ আৰু ওপৰ ভাগ চৌদ্ধ হাত
দীঘল আৰু চৌদ্ধ হাত বহল, চাৰিচুকীয়া হ'ব; আৰু তাৰ চাৰিওফালে
থকা বাৰ আধা হাত, আৰু তাৰ তল ভাগ চাৰিওফালে এক হাত হ'ব;
তাৰ খটখটী পূৰফাললৈ মুখ কৰি থাকিব।" ১৮ তাৰ পাছত তেওঁ মোক

ক'লে, "হে মনুষ্য সন্তান, প্ৰভু যিহোৱাই এই কথা কৈছে: যজ্ঞ-বেদিটো
সাজি এঁটোৱা দিনা তাত হোম বলি উৎসৰ্গ কৰিবলৈ আৰু তেজ
ছটিয়াবলৈ তাৰ নিয়ম প্ৰণালী এইবোৰ। ১৯ মোৰ পৰিচৰ্যা কৰিবলৈ
মোৰ ওচৰত থকা চাদোক বংশৰ লেবীয়া পুৰোহিতসকলক তুমি
পাপাৰ্থক বলিৰ কাৰণে এটা ডেকা ভতৰা দিবা।" এয়েই প্ৰভু যিহোৱাই
দিয়া ঘোষণা ২০ তেতিয়া তুমি তাৰ অলপ তেজ লৈ বেদিটোৰ চাৰিটা
শিঙত, তাৰ ওপৰ ভাগৰ চাৰি চুকত আৰু চাৰিওফালে তাৰ বাৰত
লগাবা; তুমি এইদৰে তাক শুচি কৰিবা। ২১ পাছত পাপাৰ্থক বলিৰ
সেই ভতৰাটো লৈ তাক ধৰ্মধামৰ বাহিৰে গৃহৰ নিৰূপিত ঠাইত দাহ
কৰা হ'ব। ২২ তেতিয়া দ্বিতীয় দিনা তুমি পাপাৰ্থক বলিৰ কাৰণে এটা
নিঘূণ মতা ছাগ উৎসৰ্গ কৰিবা; তাতে পুৰোহিতসকলে ভতৰাটোৰে
যজ্ঞ-বেদিটো শুচি কৰা দৰে যজ্ঞ-বেদিটো শুচি কৰিব। ২৩ তাক শুচি
কৰি এঁটালে তুমি এটা নিঘুণ ডেকা ভতৰা আৰু জাকৰ পৰা এটা নিঘূণ
মতা মেৰ উৎসৰ্গ কৰিবা। ২৪ তুমি সেই দুটাক যিহোৱাৰ আগলৈ
আনিবা; তাতে পুৰোহিতসকলে সেইবোৰৰ ওপৰত লোণ ছটিয়াব আৰু
তেওঁলোকে যিহোৱাৰ উদ্দেশ্যে হোম-বলিস্বৰূপে সেইবোৰ উৎসৰ্গ
কৰিব। ২৫ তুমি সাতদিনলৈকে প্ৰতিদিনে পাপাৰ্থক বলিস্বৰূপে এটা
এটা ছাগ উৎসৰ্গ কৰিবা; আৰু তেওঁলোকে এটা ডেকা ভতৰা, আৰু
জাকৰ পৰা এটা নিঘূণ মেৰ উৎসৰ্গ কৰিব। ২৬ সাতদিনলৈকে
তেওঁলোকে যজ্ঞবেদিটো প্ৰায়শ্চিত্ত কৰি তাক শুচি কৰিব; এইদৰে
তেওঁলোকে তাৰ প্ৰতিষ্ঠা কৰিব। ২৭ আৰু তেওঁলোকে দিন সম্পূৰ্ণ
হ'লে, অষ্টম দিনা আৰু তাৰ পাছত পুৰোহিতদকলৰ যজ্ঞ-বেদিটোত
তোমালোকৰ হোম বলি আৰু তোমালোকৰ মঙ্গলাৰ্থক বলি উৎসৰ্গ
কৰিব; তাতে, প্ৰভু যিহোৱাই কৈছে, "মই তোমালোকক গ্ৰহণ কৰিম।"

**৪৪** তেতিয়া সেই মানুহে ধৰ্মধামৰ পূবফালে মুখ কৰা বাহিৰ বাট-
চৰাটোলৈ মোক ওলোটাই নিলে, সেয়ে টানকৈ বন্ধ কৰি থোৱা আছিল।
২ পাছত যিহোৱাই মোক ক'লে, "এই বাট-চৰাটো বন্ধ থাকিব, মেলা
নাযাব আৰু এইপিনে কোনো লোক নোসোমাব; কিয়নো ইস্ৰায়েলৰ
ঈশ্বৰ যিহোৱাই এইফালেই প্ৰৱেশ কৰিলে; এই হেতুকে ই বন্ধ

থাকিব। ৩ অধিপতিজনৰ বিষয়ে হ'লে, কেৱল তেওঁহে যিহোৱাৰ
আগত আহাৰ কৰিবৰ অৰ্থে তাত বহিব তেওঁ বাট-চৰাটোৰ বাৰাণ্ডাৰ
বাটেদি সোমাব আৰু সেই একে বাটেদিয়েই বাহিৰ ওলাব।" ৪ তাৰ
পাছত তেওঁ উত্তৰ বাট-চৰাটোৰ বাটেদি মোক গৃহটিৰ আগলৈ নিলে
আৰু মই চাই দেখিলোঁ, যিহোৱাৰ গৌৰৱে যিহোৱাৰ গৃহটি পৰিপূৰ্ণ
কৰিলে; তাতে মই উবুৰি হৈ পৰিলোঁ! ৫ পাছে যিহোৱাই মোক ক'লে,
"হে মনুষ্য সন্তান, যিহোৱাৰ গৃহটিৰ সকলো নিয়ম প্ৰণালী আৰু তাৰ
আটাই ব্যৱস্থাৰ বিষয়ে মই তোমাক যি যি ক'ম, তুমি সেই সকলোলৈ
মনোযোগ কৰা, চকুদিয়া, কাণ দিয়া আৰু ধৰ্মধামৰ বাহিৰলৈ যোৱা
প্ৰত্যেক বাটলৈ আৰু গৃহটিৰ প্ৰৱেশস্থানলৈ ভালকৈ মন দি চোৱা।
৬ আৰু তুমি বিদ্ৰোহী ইস্ৰায়েল বংশক ক'বা, প্ৰভু যিহোৱাই এই
কথা কৈছে: ৭ হে ইস্ৰায়েল বংশ, তোমালোকে মোক আহাৰ, অৰ্থাৎ
তেল আৰু তেজ উৎসৰ্গ কৰা সময়ত, মোৰ গৃহটি অপবিত্ৰ কৰিবৰ
কাৰণে মোৰ ধৰ্মধামত ভৰি দিবলৈ অচুন্নৎ হৃদয়ৰ আৰু অচুন্নৎ মাংসৰ
বিজাতীয়সকলক মোৰ ধৰ্মধামলৈ যে আনিলা, তোমালোকৰ আটাই
ঘিণলগীয়া কাৰ্যৰ মাজত সেইটোৱেই তোমালোকৰ পক্ষে যথেষ্ঠ হওক;
তোমালোকৰ আটাই ঘিণলগীয়া কাৰ্যৰ বাহিৰেও তোমালোকে মোৰ
নিয়মটি ভাঙিলা। ৮ আৰি তোমালোকে মোৰ পবিত্ৰ বস্তুবিষয়ক ৰক্ষণীয়
ৰক্ষা কৰা নাই; কিন্তু তোমালোকে মোৰ ধৰ্মধামত মোৰ ৰক্ষণীয় ৰক্ষা
কৰিবলৈ ইচ্ছামতে ৰক্ষক পাতিলা। ৯ প্ৰভু যিহোৱাই এই কথা কৈছে:
ইস্ৰায়েলৰ সন্তান সকলৰ মাজত থকা বিজাতীয়সকলৰ অচুন্নৎ হৃদয়ৰ
আৰু অচুন্নৎ মাংসৰ কোনো বিজাতীয় মোৰ ধৰ্মধামত নোসোমাব। ১০
কিন্তু ইস্ৰায়েল বিপথে যোৱা সময়ত, যি লেবীয়াসকলে নিজ নিজ মুৰ্ত্তিৰ
পাছত চলি মোৰ পৰা বিপথে গৈছিল, মোৰ পৰা আঁতৰ হোৱা সেই
লেবীয়াসকলে নিজ নিজ অপৰাধৰ ভাৰ বব। ১১ তেওঁলোকে গৃহটিৰ
দুৱাৰ ৰখীয়া আৰু গৃহটি পৰিচৰ্যা কৰি মোৰ ধৰ্মধামত পৰিচাৰক হ'ব;
তেওঁলোকেই হোম-বলি আৰু প্ৰজাসকলৰ অৰ্থে দিয়া বলি কাটিব আৰু
প্ৰজাসকলৰ পৰিচৰ্যা কৰিবলৈ তেওঁলোকেই তেওঁলোকৰ আগত থিয়
হ'ব। ১২ তেওঁলোকে প্ৰজাসকলৰ মুৰ্ত্তিবোৰৰ আগত তেওঁলোকৰ

পৰিচৰ্যা কৰি ইস্রায়েল-বংশৰ অপৰাধজনক বিঘিনিস্বৰূপ হৈছিল;
এই হেতুকে প্ৰভু যিহোৱাই কৈছে, মই তেওঁলোকৰ অহিতে মোৰ
হাত দাঙি শপত কৰিলোঁ, যে, তেওঁলোকে নিজ নিজ অপৰাধৰ ভাৰ
বব। ১৩ আৰু তেওঁলোকে মোৰ ওচৰত পুৰোহিত কৰ্ম কৰিবলৈ
নাহিব, মোৰ পবিত্ৰ, মোৰ অতি পবিত্ৰ বস্তুবোৰৰ কোনো বস্তুৰ ওচৰ
নাচাপিব, কিন্তু তেওঁলোকৰ লাজৰ আৰু তেওঁলোকে কৰা ঘিণলগীয়া
কাৰ্যৰ ভাৰ বব। ১৪ গৃহটিৰ সকলো সেৱকীয়া কাৰ্যত আৰু তাত
কৰিব লগা আটাই কৰ্মত মই তেওঁলোকক গৃহটিৰ ৰক্ষণীয়ৰ ৰক্ষক
কৰিম। ১৫ কিন্তু ইস্রায়েলৰ সন্তান সকল মোৰ পৰা বিপথে যোৱা
কালত, মোৰ ধৰ্মধামৰ ৰক্ষণীয় ৰক্ষা কৰা চাদোকৰ সন্তান লেবীয়া
পুৰোহিতসকলে হ'লে, মোৰ পৰিচৰ্যা কৰিবলৈ মোৰ গুৰিলৈ আহিব;
আৰু প্ৰভু যিহোৱাই কৈছে, তেওঁলোকে তেল আৰু তেজ মোৰ উদ্দেশ্যে
উৎসৰ্গ কৰিবলৈ মোৰ আগত থিয় হ'ব। ১৬ 'তেওঁলোকে মোৰ
ধৰ্মধামত সোমাব, মোৰ পৰিচৰ্যা কৰিবলৈ মোৰ মেজৰ ওচৰলৈ
আহিব আৰু মোৰ ৰক্ষণীয় ৰক্ষা কৰিব। ১৭ আৰু তেওঁলোকে ভিতৰ
চোতালখনৰ বাট-চৰা কেইটাইদি সোমালে, তেওঁলোকে শণ সূতাৰ বস্ত্ৰ
পিন্ধিব; আৰু তেওঁলোকে ভিতৰ চোতালখনৰ বাট-চৰা কেইটাত আৰু
গৃহত পৰিচৰ্যা কৰোঁতে তেওঁলোকৰ গাত নোমৰ কাপোৰ নাথাকিব।
১৮ তেওঁলোকৰ মুৰত শণ সূতাৰ পাগুৰি, আৰু কঁকালত শণ সূতাৰ
জাঙিয়া থাকিব; ঘাম উলিওৱা কোনো কাপোৰ তেওঁলোকে কঁকালত
নাবান্ধিব। ১৯ যেতিয়া তেওঁলোকে বাহিৰ চোতালখনলৈ, তেওঁলোকৰ
গুৰিলৈ বাহিৰ চোতালখনলৈকে ওলাই যাব, তেতিয়া তেওঁলোকে
তেওঁলোকৰ পৰিচৰ্যা বস্ত্ৰ সোলোকাই পবিত্ৰ কোঁঠালিবোৰত থব আৰু
তেওঁলোকৰ বস্ত্ৰেৰে তেওঁলোকক পবিত্ৰ নকৰিবৰ কাৰণে আন বস্ত্ৰ
পিন্ধিব। ২০ তেওঁলোকে মূৰ নুখুৰাব, বা চুলি দীঘল হ'বলৈ নিদিব,
কেৱল মূৰৰ চুলি কাটিব। ২১ ভিতৰ-চোতালখনত সোমোৱা সময়ত
কোনো পুৰোহিতে দ্ৰাক্ষাৰস পান নকৰিব। ২২ তেওঁলোকে বিধৱা, বা
পৰিত্যক্ত স্ত্ৰীক বিয়া নকৰিব, কিন্তু ইস্রায়েল বংশৰ ঔৰসত জন্মা
কুমাৰীক, বিধৱা হ'লেও, পুৰোহিতৰ বিধৱাক বিয়া কৰিব। ২৩ আৰু

তেওঁলোকে মোৰ প্ৰজাসকলক পবিত্ৰ আৰু সাধাৰণৰ মাজত প্ৰভেদ
শিকাব, শুচি আৰু অশুচিৰ মাজত বিভিন্ন কৰিবলৈ শিকিব। ২৪ আৰু
কোনো বিবাদ হ'লে, তেওঁলোকে বিচাৰ কৰিবলৈ থিয় হ'ব; মোৰ
বিচাৰ অনুসাৰে তেওঁলোকে বিচাৰ কৰিব; মোৰ আটাই নিৰূপিত
পৰ্ব্বতবোৰত মোৰ ব্যৱস্থা আৰু বিধিবোৰ তেওঁলোকে পালন কৰিব;
আৰু মোৰ বিশ্ৰাম-দিনবোৰ পবিত্ৰ কৰিব। ২৫ আৰু তেওঁলোকৰ
কোনেও নিজকে অশুচি কৰিবলৈ মৰা মানুহৰ ওচৰলৈ নাযাব, কিন্তু,
বায়েক, মাক, পুতেক, জীয়েক আৰু ভায়েকৰ কি স্বামী নোহোৱা
ভনীয়েকৰ কাৰণে নিজকে অশুচি কৰিব পাৰে। ২৬ কোনো পুৰোহিত
শুচি হোৱাৰ পাছত তাৰ কাৰণে সাত দিন নিৰূপণ কৰা হ'ব। ২৭
প্ৰভু যিহোৱাই কৈছে, 'ধৰ্মধামত পৰিচৰ্যা কৰিবলৈ, ধৰ্মধামত ভিতৰ-
চোতালখনত তেওঁ সোমোৱা দিনা নিজৰ পাপাৰ্থক বলি উৎসৰ্গ কৰিব।'
২৮ 'আৰু পুৰোহিতসকলে এক আধিপত্য পাব; ময়েই তেওঁলোকৰ সেই
আধিপত্য; আৰু তেওঁলোকে তেওঁলোকক ইস্ৰায়েলৰ মাজত কোনো
আধিপত্য নিদিব; ময়েই তেওঁলোকৰ আধিপত্য। ২৯ ভক্ষ্য নৈবেদ্য,
পাপাৰ্থক বলি, আৰু দোষাৰ্থক বলি তেওঁলোকেই খাব; আৰু ইস্ৰায়েলৰ
প্ৰত্যেক বৰ্জিত বস্তু তেওঁলোকৰেই হ'ব; ৩০ আৰু প্ৰথমে পকা শস্যাদিৰ
প্ৰত্যেকৰ আগ ভাগ আৰু তোমালোকৰ আটাই উত্তোলনীয় উপহাৰৰ
প্ৰত্যেক বস্তুৰ উত্তোলনীয় ভাগ পুৰোহিতসকলৰেই হ'ব; আৰু তোমাৰ
ঘৰত আশীৰ্ব্বাদ থাকিবৰ কাৰণে তুমি তোমাৰ খৰচিয়া শস্যৰ আগ
ভাগ পুৰোহিতক দিবা। ৩১ আৰু চৰাই হওঁক কি পশু হওঁক, নিজে
মৰা বা জন্তুৱে ছিৰা একোকেই পুৰোহিতসকলে নাখাব।

**৪৫** ইয়াৰ বাহিৰে, যেতিয়া তোমালোকে আধিপত্যৰ অৰ্থে চিঠি-
খেলৰে দেশ ভাগ বাঁটিবা, তেতিয়া তোমালোকে দেশৰ এক পবিত্ৰ
অংশ যিহোৱাৰ উদ্দেশ্যে উপহাৰস্বৰূপে উৎসৰ্গ কৰিবা; সেয়ে দীঘলে
পঁচিশ হাজাৰ হাত; আৰু বহলে বিশ হাজাৰ হাত হ'ব; সেয়ে চাৰিওঁফালে
তাৰ সমুদায় সীমাৰ ভিতৰত পবিত্ৰ হ'ব। ২ তাৰে পাঁচ শ হাত
দীঘল আৰু পাঁচ শ হাত বহল চাৰিওঁফালে সমান এনে এডোখৰ ঠাই
পবিত্ৰ স্থানৰ কাৰণে থাকিব আৰু তাৰ বাহিৰ ফালে মুকলি ঠাইৰ

কাৰণে কেউপিনে পঞ্চাশ হাত থাকিব। ৩ আৰু তুমি সেই পৰিমিত
অংশৰ পঁচিশ হাজাৰ হাত দীঘল আৰু দহ হাজাৰ হাত বহল ঠাই
এডোখৰ জুখিবা আৰু তাত পবিত্ৰ ধৰ্মধাম হ'ব। ৪ সেয়ে দেশৰ পবিত্ৰ
অংশ; সেয়ে যিহোৱাৰ পৰিচৰ্যা কৰিবলৈ অহা ধৰ্মধামৰ পৰিচাৰক
পুৰোহিতসকলৰ কাৰণে হ'ব; আৰু সেয়ে তেওঁলোকৰ ঘৰৰ কাৰণে
ঠাই হ'ব, আৰু ধৰ্মধামৰ কাৰণে পবিত্ৰ স্থান হ'ব। ৫ বিশটা কোঁঠালি
হ'বলৈ পঁচিশ হাজাৰ হাত দীঘল আৰু দহ হাজাৰ হাত বহল ঠাই
এডোখৰ গৃহটিৰ পৰিচাৰক লেবীয়াসকলৰ আধিপত্যৰ অৰ্থে হ'ব। ৬
আৰু উপহাৰ স্বৰূপে উৎসৰ্গ কৰা পবিত্ৰ অংশৰ একাষে, পাঁচহাজাৰ
হাত দীঘল এডোখৰ ঠাই নগৰখনৰ আধিপত্য, তোমালোকে নিৰূপণ
কৰিবা; সেয়ে ইস্ৰায়েলৰ সমুদায় বংশৰ কাৰণে হ'ব। ৭ পবিত্ৰ
উপহাৰৰ আৰু নগৰখনৰ আধিপত্যৰ ইফালে সিফালে, পবিত্ৰ উপহাৰ
আৰু নগৰখনৰ আধিপত্যৰ সন্মুখত, পশ্চিমফালৰ পশ্চিমদিশে আৰু
পূৱফালৰ পূৱদিশে অধিপতিজনৰ ভাগ হ'ব; আৰু সেই ভাগ দীঘলে
পশ্চিম সীমাৰ পৰা পূৱসীমালৈকে অংশবোৰৰ এক অংশৰ সমান
হ'ব। ৮ দেশত ইস্ৰায়েলৰ মাজত সেয়ে তেওঁৰ আধিপত্যৰ অৰ্থে
হ'ব; আৰু মোৰ অধিপতিসকলে মোৰ প্ৰজাসকলক আৰু অত্যাচাৰ
নকৰিব, কিন্তু ইস্ৰায়েল-বংশৰ ফৈদ অনুসাৰে তেওঁলোকক দেশ দিব।
৯ প্ৰভু যিহোৱাই এই কথা কৈছে: 'হে ইস্ৰায়েলৰ অধিপতিসকল,
তোমালোকৰ পক্ষে যথেষ্ঠ হ'ল; তোমালোকে অত্যাচাৰ আৰু লুট দূৰ
কৰা, বিচাৰ আৰু ন্যায় সিদ্ধ কৰা; প্ৰভু যিহোৱাই কৈছে তোমালোকে
মোৰ প্ৰজাসকলক খেদাই দিবলৈ ক্ষান্ত হোৱা। ১০ 'তোমালোকৰ
ন্যায় পাল্লা, ন্যায় ঐফা আৰু ন্যায় বৎ হ'ব লাগে। ১১ বতত এক
হোমৰৰ দহ ভাগৰ এভাগ আৰু ঐফাত এক হোমৰৰ দহ ভাগৰ
এভাগ ধৰিবৰ কাৰণে ঐফা আৰু বৎ একে পৰিমাণৰ হ'ব; তাৰ
পৰিমাণ হোমৰ অনুসাৰে হ'ব। ১২ আৰু চেকলত বিশ গেৰা থাকিব;
তোমালোকৰ মানিত বিশ চেকল, পঁচিশ চেকল, পোন্ধৰ চেকল থাকিব।
১৩ তোমালোকে দিব লগীয়া উপহাৰ এই। তোমালোকে এক হোমৰ
ঘেঁহুধানৰ পৰা ঐফাৰ ছয় ভাগৰ এভাগ আৰু এক হোমৰ যৱৰ পৰা

ঐফাৰ ছয় ভাগৰ এভাগ দিবা। ১৪ আৰু তেলৰ, বৎ সম্পৰ্কীয় তেলৰ
নিৰূপিত ভাগ এক কোৰৰ পৰা বতৰ দহ ভাগৰ এভাগ হ'ব; এক
কোৰত দহ বৎ, অৰ্থাৎ এক হমৰ আছে; কিয়নো এক হোমৰত দহ
বৎ থাকে। ১৫ আৰু প্ৰভু যিহোৱাই কৈছে, লোকসকলক প্ৰায়শ্চিত্ত
কৰিবলৈ, ভক্ষ্য নৈবেদ্য, হোম-বলি আৰু মঙ্গলাৰ্থক বলিৰ কাৰণে
ইস্ৰায়েলৰ পুষ্টিকৰ ঘাঁহনিত চৰা দুশ দুশ মেৰৰ ভিতৰত জাকৰ পৰা
এটা এটা মেৰ দিব লাগিব।' ১৬ দেশৰ সকল প্ৰজাই ইস্ৰায়েলৰ
অধিপতিজনক সেই উপহাৰ দিব। ১৭ আৰু পৰ্ব্বতবোৰত ন-জোনত,
বিশ্ৰাম-দিনত ইস্ৰায়েল বংশৰ আটাই নিৰূপিত উৎসৱত হোম-বলি
ভক্ষ্য নৈবেদ্য আৰু পেয় নৈবেদ্য উৎসৰ্গ কৰিবলৈ অধিপতিজন বাধ্য
হ'ব; ইস্ৰায়েল বংশক প্ৰায়শ্চিত্ত কৰিবলৈ তেওঁ পাপাৰ্থক বলি, ভক্ষ্য
নৈবেদ্য, হোম-বলি আৰু মঙ্গলাৰ্থক বলি উৎসৰ্গ কৰিব।' ১৮ প্ৰভু
যিহোৱাই এই কথা কৈছে: 'প্ৰথম মাহৰ প্ৰথম দিনা তুমি এটা নিৰ্ঘূণী
ভতৰা লৈ ধৰ্ম ধামক পাপৰ পৰা মুক্ত কৰিবা। ১৯ পুৰোহিতে সেই
পাপাৰ্থক বলিৰ কিছু তেজ লৈ গৃহটিৰ দুৱাৰৰ খুটাত যজ্ঞ-বেদিৰ ওপৰ
ভাগৰ চাৰি চুকত আৰু ভিতৰ-চোতালখনৰ বাট-চৰাটোৰ দুৱাৰৰ
খুটাত লগাব। ২০ আৰু ভুল কৰা কোনো লোকৰ আৰু কোনো নিৰ্ব্বোধ
মানুহৰ কাৰণেও মাহৰ সপ্তম দিনা তুমি সেই দৰে কৰিবা। ২১
প্ৰথম মাহৰ চৌদ্ধ দিনৰ দিনা তোমালোকৰ নিস্তাৰ-পৰ্ব্ব, সাতদিনীয়া
ভোজ হ'ব; সেইদিনা খমিৰ নিদিয়া পিঠা খাব লাগিব। ২২ সেই
দিনা অধিপতিজনে নিজৰ কাৰণে আৰু দেশৰ আটাই প্ৰজাৰ কাৰণে
পাপাৰ্থক বলিস্বৰূপে এটা ভতৰা উৎসৰ্গ কৰিব। ২৩ আৰু তেওঁ ভোজৰ
সাতদিন যিহোৱাৰ উদ্দেশ্যে হোমবলিৰ কাৰণে দিনে দিনে সাতোটা
সাতোটা নিৰ্ঘূণী ভতৰা আৰু সাতোটা সাতোটা মতা মেৰ-ছাগ উৎসৰ্গ
কৰিব আৰু পাপাৰ্থক বলিৰ কাৰণে প্ৰতিদিনে এটা এটা ছাগ উৎসৰ্গ
কৰিব। ২৪ আৰু তেওঁ এটা এটা ভতৰাৰ এক এক ঐফা আৰু এটা এটা
মতা মেৰ-ছাগৰ লগত এক এক ঐফা আৰু এক এক ঐফাৰ লগত
এক এক হীন তেল দি ভক্ষ্য নৈবেদ্য উৎসৰ্গ কৰিব। ২৫ সপ্তম মাহৰ

পোন্ধৰ দিনৰ দিনাও পাপাৰ্থক বলি, হোম বলি, ভক্ষ্য নৈবেদ্য আৰু
তেল উৎসৰ্গ কৰিব; তেওঁ ভোজত সাত দিনলৈকে সেইদৰে কৰিব।’

**৪৬** প্ৰভু যিহোৱাই এই কথা কৈছে: ‘পূৱফালে মুখ কৰা ভিতৰ
চোতালখনৰ বাট-চৰাটো কাম কৰা ছয় দিন বন্ধ থাকিব; কিন্তু বিশ্ৰাম
দিনত আৰু ন-জোনৰ দিনা খোলা হ’ব। ২ আৰু অধিপতিজন বাহিৰৰ
পৰা বাট-চৰাৰ বাৰাণ্ডাৰ বাটেদি সোমাই বাট-চৰাটোৰ দুৱাৰৰ খুটাৰ
ওচৰত থিয় হ’ব আৰু পুৰোহিতসকলে তেওঁৰ হোম-বলি ও মঙ্গলাৰ্থক
বলি উৎসৰ্গ কৰিব আৰু তেওঁ দুৱাৰডলিত প্ৰণিপাত কৰিব, পাছত
ওলাই যাব; কিন্তু বাট-চৰাটো গধূলি নোহোৱালৈকে বন্ধ কৰা নাযাব।
৩ আৰু দেশৰ প্ৰজাসকলে বিশ্ৰাম দিনত আৰু ন-জোনত যিহোৱাৰ
আগত সেই বাট-চৰাটোৰ প্ৰৱেশস্থানত প্ৰণিপাত কৰিব। ৪ আৰু
যিহোৱাৰ উদ্দেশ্যে অধিপতিজনে উৎসৰ্গ কৰিব লগীয়া হোম বলি
এই; বিশ্ৰামবাৰে ছটা নিৰ্ঘূণী মেৰ-ছাগ পোৱালি আৰু এটা নিৰ্ঘূণী মতা
মেৰ-ছাগ হ’ব। ৫ মতা মেৰ-ছাগটোৰ লগত দিয়া ভক্ষ্য নৈবেদ্য এক
ঐফা হ’ব আৰু মেৰ-ছাগ পোৱালিবোৰৰ লগত দিয়া ভক্ষ্য নৈবেদ্য
তেওঁৰ শক্তি অনুসাৰে হ’ব আৰু এক এক ঐফাৰ লগত এক এক
হীন তেল হ’ব। ৬ আৰু ন-জোনৰ দিনা এটা নিৰ্ঘূণী ডেকা ভতৰা
হ’ব; আৰু ছটা মেৰ-ছাগ পোৱালি আৰু এটা মতা মেৰ-ছাগ হ’ব,
এইবোৰো নিৰ্ঘূণী হ’ব। ৭ আৰু ভতৰাটোৰ লগত এক ঐফা, মতা
মেৰ-ছাগটোৰ লগত এক ঐফা, মেৰ-ছাগ পোৱালিবোৰৰ লগত
তেওঁৰ শক্তি অনুসাৰে আৰু এক এক ঐফাৰ লগত এক এক হীন
তেল দি তেওঁ ভক্ষ্য নৈবেদ্য যুগুত কৰিব। ৮ যেতিয়া অধিপতিজন
সোমাব, তেতিয়া তেওঁ বাট-চৰাটোৰ বাৰাণ্ডাৰ বাটেদি সোমাব আৰু
সেই একে বাটেদিয়েই ওলাই যাব। ৯ কিন্তু যেতিয়া দেশৰ প্ৰজাসকল
নিৰূপিত উৎসৱত যিহোৱাৰ আগলৈ আহিব, তেতিয়া যি জনে প্ৰণিপাত
কৰিবলৈ উত্তৰ বাট-চৰাটোৰ বাটেদি সোমাব, তেওঁ দক্ষিণ বাট-
চৰাটোৰ বাটেদি ওলাই যাব আৰু যি জনে দক্ষিণ বাট-চৰাটোৰ
বাটেদি সোমাব, তেওঁ উত্তৰ বাট-চৰাটোৰ বাটেদি ওলাই যাব; তেওঁ
সোমোৱা বাট-চৰাটোৰ বাটেদি ওলাই নাযাব, কিন্তু পোনে পোনে

ওলাই যাব। ১০ আৰু তেওঁলোক সোমোৱা সময়ত অধিপতিজন
তেওঁলোকৰ মাজত হৈ সোমাব; আৰু ওলোৱা সময়ত তেওঁলোক
সকলোৱে একেলগে ওলাব। ১১ পৰ্ব্বতবোৰ আৰু নিৰূপিত সময়ত
ভক্ষ্য নৈবেদ্য এটা এটা ভতৰাৰ লগত এক এক ঐফা, এটা এটা মতা
মেৰৰ লগত এক এক ঐফা, মেৰ পোৱালিবোৰৰ লগত তেওঁৰ শক্তি
অনুসাৰে, আৰু এক এক ঐফাৰ লগত এক এক হীম তেল হ'ব। ১২
আৰু যেতিয়া অধিপতিজনে ইচ্ছামতে দিয়া উপহাৰ উৎসৰ্গ কৰিব,
অৰ্থাৎ যিহোৱাৰ উদ্দেশ্যে হোমবলি বা মঙ্গলাৰ্থক বলি ইচ্ছামতে দিয়া
উপহাৰস্বৰূপে উৎসৰ্গ কৰিব, তেতিয়া পূবফালে মুখ কৰা বাটচৰাটো
তেওঁৰ কাৰণে খোলা হ'ব আৰু তেওঁ বিশ্ৰামবাৰে কৰা দৰে নিজৰ
হোমবলি আৰু মঙ্গলাৰ্থক বলি উৎসৰ্গ কৰিব; পাছে তেওঁ বাহিৰলৈ যাব
আৰু তেওঁ ওলাই যোৱাৰ পাছত বাট-চৰাটো বন্ধ কৰা হ'ব। ১৩ আৰু
তুমি দিনে দিনে যিহোৱাৰ উদ্দেশ্যে হোম-বলিৰ কাৰণে এটা এটা
এবছৰীয়া নিৰ্ঘূণী মেৰ পোৱালি উৎসৰ্গ কৰিবা; প্ৰতি ৰাতিপুৱা তুমি
তাক উৎসৰ্গ কৰিবা। ১৪ আৰু তুমি ঐফাৰ ছয় ভাগৰ এভাগ আৰু মিহি
আটাগুড়ি ভেজাবলৈ হীনৰ তিনিভাগৰ এভাগ তেল দি প্ৰতি ৰাতিপুৱা
তাৰ লগত এক এক ভক্ষ্য নৈবেদ্য উৎসৰ্গ কৰিবা; সেয়ে চিৰস্থায়ী
নিয়ম অনুসাৰে নিত্যে নিত্যে যিহোৱাৰ উদ্দেশ্যে দিব লগীয়া ভক্ষ্য
নৈবেদ্য। ১৫ এইদৰে তেওঁলোকে প্ৰতি ৰাতিপুৱা নিত্য হোমবলিৰ
অৰ্থে, মেৰ পোৱালি, ভক্ষ্য নৈবেদ্য আৰু তেল উৎসৰ্গ কৰিব।' ১৬ প্ৰভু
যিহোৱাই এই কথা কৈছে: 'যদি অধিপতিজনে তেওঁৰ পুত্ৰসকলৰ
কোনো এজনক কিবা বস্তু দান কৰে, তেন্তে সেই বস্তুত সেইজনৰ
স্বত্ব থাকিব, সেয়ে তেওঁৰ পুত্ৰসকলৰ হ'ব; পুত্ৰ-পৌত্ৰাদিক্ৰমে তাত
তেওঁলোকৰ স্বত্ব থাকিব। ১৭ কিন্তু তেওঁ যদি তেওঁৰ আধিপত্যৰ পৰা
তেওঁৰ বন্দীবোৰৰ কোনো বন্দীক কিবা বস্তু দান কৰে, তেন্তে সেয়ে
মুক্তিৰ বছৰলৈকে তাৰ হৈ থাকিব; তাৰ পাছত অধিপতিজনৰ পুনৰায়
হ'ব। কিন্তু তেওঁৰ আধিপত্য হ'লে তেওঁৰ পুত্ৰসকলৰ হ'ব। ১৮ ইয়াৰ
উপৰিও, অধিপতিজনে প্ৰজাসকলৰ আধিপত্যৰ পৰা তেওঁলোকক
খেদাবৰ কাৰণে তেওঁলোকৰ আধিপত্যৰ পৰা একো নল'ব; মোৰ

প্ৰজাসকলৰ এজনো নিজ আধিপত্যৰ পৰা ছিন্ন-ভিন্ন নহ’বৰ কাৰণে
তেওঁ নিজ আধিপত্যৰ পৰাই তেওঁৰ পুত্ৰসকলক আধিপত্য দিব’।”
১৯ তাৰ পাছত তেওঁ উত্তৰফালে মুখ কৰা পুৰোহিতসকলৰ পবিত্ৰ
কোঁঠালিলৈ বাট-চৰাটোৰ কাষৰ প্ৰৱেশস্থানেদি মোক নিলে, আৰু
চোৱা! পশ্চিমদিশে পাছফালে এখন ঠাই আছিল। ২০ তেতিয়া তেওঁ
মোক ক’লে, পুৰোহিতসকলে লোকসকলক পবিত্ৰ কৰিবলৈ দোষাৰ্থক
বলি, পাপাৰ্থক বলি আৰু ভক্ষ্য নৈবেদ্য বাহিৰ চোতালখনলৈ নিনিবৰ
কাৰণে, সেই পাপাৰ্থক ও দোষাৰ্থক বলি সিজোৱা আৰু ভক্ষ্য নৈবেদ্য
তাও দিয়া ঠাই এয়ে।” ২১ তেতিয়া তেওঁ মোক বাহিৰ চোতালখনলৈ
নি চোতালখনৰ চাৰিচুকেদি ফুৰালে; আৰু চোৱা, চোতালখনৰ প্ৰত্যেক
চুকত এখন এখন চোতাল আছিল। ২২ চোতালখনৰ চাৰিচুকত,
গড়েৰে আবৃত চল্লিশ হাত দীঘল আৰু ত্ৰিশ হাত বহল এখন এখন
চোতাল আছিল; চুকৰ এই চাৰিখন চোতাল একে পৰিমাণৰ। ২৩
সেই চাৰিখনৰ প্ৰত্যেকখনৰ চাৰিওফালে লগালগি এশাৰী এশাৰী
ঘৰ আছিল; আৰু চাৰিওফালৰ সেই ঘৰবোৰৰ তলত সিজাবৰ
কাৰণে চৌকা পতা আছিল। ২৪ পাছত তেওঁ মোক ক’লে, “গৃহটিৰ
পৰিচাৰকসকলে তেওঁলোকৰ বলিৰ মাংস সিজোৱা ঘৰ এইবোৰ।”

**৪৭** তেতিয়া সেই মানুহে মোক গৃহটিৰ দুৱাৰমুখলৈ উলিয়াই আনিলে;
আৰু চোৱা! গৃহটিৰ দুৱাৰ ডলিৰ তলৰ পৰা জল সমূহ ওলাই পূৱ
দিশলৈ বৈ গ’ল, কিয়নো গৃহটিৰ আগফাল পূৱদিশে আছিল; আৰু
বেদিটোৰ দক্ষিণে গৃহটিৰ সোঁ কাষৰ তলৰ পৰা সেই জল সমূহ
নামি গৈছিল। ২ পাছত তেওঁ মোক বাটচৰাটোৰ বাটেদি উত্তৰফালে
উলিয়াই নিলে আৰু মোক ঘূৰি অহা বাটেদি, পূৱফালে মুখ কৰা
বাটচৰাটোলৈ যোৱা পথেদি বাহিৰৰ বাটচৰাটোলৈ আনিলে, আৰু
চোৱা, সোঁ ফালে জল সমূহ ওলাই বৈ গৈছিল। ৩ পাছত পুৰুষজনে
হাতত ৰছী এডাল লৈ পূৱফাললৈ আগ বাঢ়ি গৈ এক হাজাৰ হাত
জুখিলে আৰু মোক জল সমূহৰ মাজেদি নিলে; সেয়ে খাৰ-গঁঠিয়া
পানী। ৪ তেতিয়া তেওঁ এক হাজাৰ হাত জুখিলে আৰু জল সমূহৰ
মাজেদি মোক নিলে; সেয়ে একাঁঠুৱা পানী। পুনৰায় তেওঁ এক হাজাৰ

হাত জুখিলে আৰু মোক জল সমূহৰ মাজেদি নিলে; সেয়ে এককলীয়া
পানী। ৫ পাছত তেওঁ আকৌ এক হাজাৰ হাত জুখিলে, সেয়ে মই পাৰ
হৈ যাব নোৱাৰা এখন নদী; কিয়নো জল সমূহ বাঢ়িল, সাঁতোৰিব লগা
জল সমূহ হ'ল, পাৰ হৈ যাব নোৱাৰা এখন নদী হ'ল। ৬ তেওঁ মোক
ক'লে, "হে মনুষ্য সন্তান, তুমি ইয়াক দেখিছা নে?" এইবুলি তেওঁ
মোক পুনৰায় নদীখনৰ দাঁতিলৈ লৈ গ'ল। ৭ মই উলটি অহাত, চোৱা,
নদীখনৰ পাৰত ইপাৰে সিপাৰে অনেক অনেক গছ আছে। ৮ পাছত
তেওঁ মোক ক'লে, এই জল সমূহ পূৱ অঞ্চললৈ ওলাই গৈছে; এয়ে
অৰাবাৰ মাজেদি নামি যাব, তাৰ পাছত সমূদ্ৰলৈ যাব; এই জন সমূহ
সমূদ্ৰত সোমালে তাৰ পানী উত্তম হৈ যাব। ৯ আৰু এই মহানদীখন
যোৱা সকলো ঠাইৰ অসংখ্য জীৱ-জন্তু জীব আৰু বহুসংখ্যক মাছ
হ'ব; কিয়নো এই জল সমূহ সমূদ্ৰলৈ গ'লে তাৰ জল সমূহ উত্তম
হৈ যাব; আৰু নদীখন যোৱা সকলো ঠাই সকলো প্ৰাণী জীব। ১০
তাৰ পাৰত মাছমৰীয়াসকল থিয় হ'ব আৰু অয়িন-গদীৰ পৰা অয়িন-
ইগ্লয়িমলৈকে জাল মেলি দিয়া ঠাই হ'ব; তেওঁলোকৰ মাছ মহাসমূদ্ৰৰ
মাছৰ দৰে নানা বিধৰ অসংখ্য মাছ হ'ব। ১১ কিন্তু তাৰ বোকা ঠাই
আৰু দল-দলনিবোৰ উত্তম নহ'ব; সেইবোৰ লোণীয়া ঠাই হ'ব। ১২
আৰু নদীখনৰ কাষত, তাৰ পাৰত ইফালে সিফালে সকলোবিধৰ
খোৱা গুটিৰ গছ হ'ব, সেইবোৰৰ পাত জঁয় নপৰিব আৰু গুটি নুঠুকাব;
জল সমূহ ধৰ্ম্মধামৰ পৰা ওলোৱাৰ কাৰণে সেইবোৰত মাহে মাহে
নতুন নতুন গুটি ধৰিব; আৰু সেইবোৰৰ গুটি আহাৰৰ কাৰণে, আৰু
সেইবোৰৰ পাত সুস্থ কৰিবৰ কাৰণে হ'ব। ১৩ প্ৰভু যিহোৱাই এই
কথা কৈছে, যি সীমাৰ ভিতৰত তোমালোকে ইস্ৰায়েলৰ বাৰ ফৈদ
অনুসাৰে আধিপত্যৰ কাৰণে দেশ ভাগ বাঁটিবা, সেই সীমা এই;
যোচেফে দুভাগ পাব। ১৪ আৰু মই তোমালোকৰ পূৰ্বপুৰুষসকলক
দিবলৈ যি দেশৰ বিষয়ে হাত দাঙি শপত কৰিছিলোঁ, সেই দেশ
তোমালোকে সমানে আধিপত্যস্বৰূপে ল'বা; সেই দেশ আধিপত্যস্বৰূপে
তোমালোকৰ হ'ব। ১৫ আৰু দেশৰ সীমা এইদৰে হ'ব। উত্তৰফালে
মহাসমূদ্ৰৰ পৰা হিতলোনৰ বাটেদি চদাদৰ প্ৰৱেশ স্থানৰ ফাললৈ। ১৬

হমাৎ, বেৰোথা, দম্মেচকৰ আৰু হমাতৰ সীমাৰ মাজত থকা চিব্ৰয়িম,
আৰু হাওৰাণৰ সীমাত থকা হাচেৰ-হত্তীকোণ। ১৭ এইদৰে সীমাটো
সমুদ্ৰৰ পৰা দম্মেচকৰ সীমাত থকা হচৰ-ঐনোনলৈকে যাব আৰু উত্তৰ
ফালে উত্তৰদিশে হমাতৰ সীমা। ১৮ এয়ে উত্তৰ ফাল। আৰু পূৱফাল
হাওৰাণ, দম্মেচক, ও গিলিয়দ, এই কেইটাৰে আৰু ইস্ৰায়েল দেশৰে
মাজত থকা যৰ্দ্দন হ'ব; উত্তৰ সীমাৰ পৰা পূৱ সমূদ্ৰলৈকে তোমালোকে
জুখিবা। ১৯ এয়ে পূৱ ফাল। আৰু দক্ষিণ দিশে দক্ষিণ ফাল, তামৰৰ
পৰা মৰীবোৎ-কাদেচৰ জল সমূহেদি, মিচৰ জুৰিয়েদি মহাসমূদ্ৰলৈকে
হ'ব। এয়ে দক্ষিণ দিশৰ দক্ষিণ ফাল। ২০ আৰু দক্ষিণ সীমাৰে পৰা
হমাতৰ প্ৰৱেশস্থানৰ সন্মূখলৈকে পশ্চিমফাল মহাসাগৰ হ'ব। ২১ এয়ে
পশ্চিমফাল। এইদৰে ইস্ৰায়েলৰ ফৈদ অনুসাৰে তোমালোকে এইদেশ
তোমালোকৰ কাৰণে ভাগ বাঁটিবা। ২২ তোমালোকে নিজৰ নিজৰ
কাৰণে, আৰু বিদেশী লোকসকলে তোমালোকৰ মাজত প্ৰবাস কৰি
তোমালোকৰ মাজত সন্তান উৎপন্ন কৰিব, তেওঁলোকৰ কাৰণেও
তাক আধিপত্যৰ অৰ্থে চিঠি-খেলৰে বাগ বাঁটিবা; আৰু তেওঁলোক
ইস্ৰায়েলৰে সন্তান সকলৰ মাজত তোমালোকৰ বিবেচনাত স্বজাতীয়
যেন হ'ব; তেওঁলোকে ইস্ৰায়েলৰ ফৈদবোৰৰ মাজত তোমালোকৰ
লগত আধিপত্য পাব। ২৩ তেতিয়া প্ৰভু যিহোৱাই কৈছে, 'যি ফৈদৰ
মাজত বিদেশীয়ে বাস কৰিব, তাতেই তোমালোকে তাৰ আধিপত্য
দিবা।'

**৪৮** ফৈদবোৰ এই এই নাম। একেবাৰে মূৰত উত্তৰ ফালে হিতলোনৰ
বাটৰ কাষেদি হমাতৰ প্ৰৱেশস্থানলৈকে দম্মেচকৰ সীমাত থকা হচৰ-
ঐননলৈকে, উত্তৰফালে হমাতৰ কাষত পূৱ আৰু পশ্চিমলৈ দানে এক
অংশ পাব। ২ আৰু দানৰ সীমাৰ কাষেদি পূৱ ফালৰ পৰা পশ্চিম
ফাললৈ আচেৰে এক অংশ পাব। ৩ আৰু আচেৰৰ সীমাৰ কাষেদি পূৱ
ফালৰ পৰা পশ্চিম ফাললৈ নপ্তালীয়ে এক অংশ পাব। ৪ আৰু নপ্তালীৰ
সীমাৰ কাষেদি পূৱ ফালৰ পৰা পশ্চিম ফাললৈ মনচিয়ে এক অংশ
পাব। ৫ আৰু মনচিৰ সীমাৰ কাষেদি পূৱ ফালৰ পৰা পশ্চিম ফাললৈ
ইফ্ৰয়িমে এক অংশ পাব। ৬ আৰু ইফ্ৰয়িমৰ সীমাৰ কাষেদি পূৱ ফালৰ

পৰা পশ্চিম ফাললৈ ৰূবেণে এক অংশ পাব। ৭ আৰু ৰূবেণৰ সীমাৰ
কাষেদি পূৱ ফালৰ পৰা পশ্চিম ফাললৈ যিহূদাই এক অংশ পাব। ৮
আৰু যিহূদাৰ সীমাৰ কাষেদি পূৱ ফালৰ পৰা পশ্চিম ফাললৈ, পঁচিশ
হাজাৰ হাত বহল আৰু দীঘলে পূৱ ফালৰ পৰা পশ্চিম ফাললৈ আন
অংশবোৰৰ এক অংশ সমান তোমালোকে দিব লগা উপহাৰ ভূমি হ'ব;
আৰু ধৰ্মধাম তাৰ মাজত হ'ব। ৯ যিহোৱাৰ উদ্দেশ্যে তোমালোকে
দিব লগা উপহাৰ ভূমি পঁচিশ হাজাৰ হাত দীঘল আৰু দহ হাজাৰ
হাত বহল হ'ব। ১০ আৰু সেই পবিত্ৰ উপহাৰ ভূমি পুৰোহিতসকলৰ
কাৰণে হ'ব। সেয়ে উত্তৰ ফালে পঁচিশ হাজাৰ হাত দীঘল, পশ্চিম
ফালে দহ হাজাৰ হাত বহল, পূৱ ফালে দহ হাজাৰ হাত বহল, আৰু
দক্ষিণ ফালে পঁচিশ হাজাৰ হাত দীঘল হ'ব; তাৰ মাজ ঠাইত যিহোৱাৰ
ধৰ্মধাম থাকিব। ১১ ইস্ৰায়েলৰ সন্তান সকল বিপথে যোৱা সময়ত
লেবীয়াসকলে বিপথে যোৱাৰ দৰে বিপথে নোযোৱা মোৰ ৰক্ষমীয়
ৰক্ষা কৰা চাদোকৰ সন্তান সকলৰ মাজৰ পবিত্ৰীকৃত পুৰোহিতসকলৰ
কাৰণে সেয়ে হ'ব। ১২ সেয়ে তেওঁলোকৰ পক্ষে, দেশৰ উপহাৰ ভূমিৰ
পৰা লোৱা, লেবীয়াসকলৰ সীমাৰ কাষত এক অতি পবিত্ৰ উপহাৰ
হ'ব। ১৩ আৰু লেবীয়াসকলে পুৰোহিতসকলৰ সীমাৰ সন্মুখত দীঘলে
পঁচিশ হাজাৰ হাত আৰু বহলে দহ হাজাৰ হাত এডোখৰ ভূমি পাব;
তাৰ গোটেই দৈৰ্ঘ্য পঁচিশ হাজাৰ হাত আৰু প্ৰস্থ দহ হাজাৰ হাত। ১৪
তেওঁলোকে ইয়াৰ অলপো সলনি নকৰিব, নাইবা দেশৰ প্ৰথম ফল
হস্তান্তৰ নকৰিব; কিয়নো এয়ে যিহোৱাৰ উদ্দেশ্যে পবিত্ৰ। ১৫ আৰু
পঁচিশ হাজাৰ হাতৰ সন্মুখৰ বহলৰ বাকী পাঁচ হাজাৰ হাত সাধাৰণ
হ'ব; সেয়ে নগৰখন বসতিস্থান আৰু চাৰিওফালৰ মুকলি ঠাইৰ কাৰণে
হ'ব; নগৰখন তাৰ মাজ ঠাইত হ'ব। ১৬ তাৰ পৰিমাণ এইবোৰ;
উত্তৰফাল চাৰি হাজাৰ পাঁচশ হাত, দক্ষিণ ফাল চাৰি হাজাৰ পাঁচশ
হাত, পূৱ ফাল চাৰি হাজাৰ পাঁচ শ হাত আৰু পশ্চিম ফাল চাৰি হাজাৰ
পাঁচ শ হাত। ১৭ আৰু নগৰখনৰ চাৰিওফালে মুকলি ঠাই থাকিব;
উত্তৰ দিশে দুশ পঞ্চাশ হাত, দক্ষিণ দিশে দুশ পঞ্চাশ হাত পূৱ দিশে
দুশ পঞ্চাশ হাত আৰু পশ্চিম দিশে দুশ পঞ্চাশ হাত। ১৮ আৰু পবিত্ৰ

উপহাৰ ভূমিৰ সন্মুখৰ দীঘলৰ বাকী ভাগ পূৰ দিশে দহ হাজাৰ হাত
আৰু পশ্চিম দিশে দহ হাজাৰ হাত হ'ব আৰু এয়ে পবিত্ৰ উপহাৰ
ভূমিৰ আগত হ'ব; আৰু তাৰ উৎপন্ন শস্য নগৰখনত কাম কৰোঁতা
লোকসকলৰ আহাৰৰ কাৰণে হ'ব। ১৯ আৰু ইস্ৰায়েলৰ আটাই ফৈদৰ
মাজৰ যি লোকসকলে নগৰখনত কাম কৰে, তেওঁলোকে তাক চহাব।
২০ গোটেই উপহাৰ ভূমি দীঘলে পঁচিশ হাজাৰ হাত আৰু বহলে
পঁচিশ হাজাৰ হাত হ'ব; তোমালোকে নগৰখনৰ অধিকৃত অংশই
সৈতে সেই পবিত্ৰ উপহাৰ ভূমি চাৰি-চুকীয়া কৰি উৎসৰ্গ কৰিবা।
২১ পবিত্ৰ উপহাৰ ভূমিৰ আৰু নগৰখনৰ অধিকৃত অংশৰ ইফালৰ
সিফালৰ অৱশিষ্ট ভাগ অধিপতিজনৰ কাৰণে হ'ব; পূৰ সীমাৰ ফালে
উপহাৰ ভূমিৰ পঁচিশ হাজাৰ হাতৰ সন্মুখৰ আৰু পশ্চিম দিশে পশ্চিম
সীমাৰ ফাললৈ পঁচিশ হাজাৰ হাতৰ সন্মুখৰ অংশবোৰৰ কাষৰ ভাগ
অধিপতিজনৰ কাৰণে হ'ব; আৰু পবিত্ৰ উপহাৰ ভূমি ও গৃহটিৰ ধৰ্মধাম
তাৰ মাজ ঠাইত হ'ব। ২২ অধিপতিজনৰ অংশৰ মাজ ঠাইত থকা যি
ভাগ লেবীয়াসকলৰ অধিকৃত অংশৰ আৰু নগৰ খনৰ অধিকৃত অংশৰ
বাহিৰে যিহূদা আৰু বিন্যামীনৰ সীমাৰ মাজত হ'ব সেয়ে অধিপতিজনৰ
হ'ব। ২৩ আৰু অৱশিষ্ট ফৈদবোৰৰ এই এই অংশ হ'ব; পূৱ ফালৰ পৰা
পশ্চিম ফাললৈ বিন্যামীনে এক অংশ পাব। ২৪ আৰু বিন্যামীনৰ সীমাৰ
কাষেদি পূৱ ফালৰ পৰা পশ্চিম ফাললৈ চিমিয়োনে এক অংশ পাব।
২৫ আৰু চিমিয়োনৰ সীমাৰ কাষেদি পূৱ ফালৰ পৰা পশ্চিম ফাললৈ
ইচাখৰে এক অংশ পাব। ২৬ আৰু ইচাখৰৰ সীমাৰ কাষেদি পূৱ ফালৰ
পৰা পশ্চিম ফাললৈ জবূলূনে এক অংশ পাব। ২৭ আৰু জবূলূনৰ সীমাৰ
কাষেদি পূৱ ফালৰ পৰা পশ্চিম ফাললৈ গাদে এক অংশ পাব। ২৮
গাদৰ সীমাৰ কাষেদি দক্ষিণ ফালে দক্ষিণ দিশে তামৰৰ পৰা মৰীবোৎ
কাদেচৰ জল সমূহৰ মাজেদি, মিচৰ জুৰিয়েদি মহাসমূদ্ৰলৈ সীমা
হ'ব। ২৯ প্ৰভু যিহোৱাই কৈছে, আধিপত্যৰ অৰ্থে ইস্ৰায়েলৰ ফৈদবোৰ
কাৰণে তোমালোকে চিঠি-খেলৰে ভাগ বাঁটিব লগা দেশ এয়ে, আৰু
এইবোৰেই তেওঁলোকৰ অংশ। ৩০ আৰু নগৰখন, চাৰিওফালৰ সীমা
এইবোৰ। উত্তৰ ফালে চাৰিহাজাৰ পাঁচশ হাত। আৰু ৩১ নগৰখনৰ

দুৱাৰবোৰ ইস্ৰায়েলৰ ফৈদৰ নাম অনুসাৰে হ'ব; উত্তৰ ফালে তিনিখন
দুৱাৰ, ৰূবেণৰ এখন, যিহূদাৰ এখন আৰু লেবীৰ এখন। ৩২ আৰু পূব
ফালে চাৰি হাজাৰ পাঁচ শ হাত, আৰু তিনিখন দুৱাৰ, যোচেফৰ এখন,
বিন্যামীনৰ এখন আৰু দানৰ এখন। ৩৩ আৰু দক্ষিণ ফালে চাৰি
হাজাৰ পাঁচ শ হাত, আৰু তিনিখন দুৱাৰ, চিমিয়োনৰ এখন, ইচাখৰৰ
এখন, আৰু জবূলূনৰ এখন। ৩৪ আৰু পশ্চিম ফালে চাৰি হাজাৰ পাঁচ
শ হাত আৰু তাৰ তিনিখন দুৱাৰ, গাদৰ এখন, আচেৰৰ এখন, আৰু
নপ্তালীৰ এখন। ৩৫ চাৰিওফালে ওঠৰ হাজাৰ হাত হ'ব; আৰু সেই
দিনৰ পৰা নগৰখন "যিহোৱা চাম্মা", এই নামেৰে প্ৰখ্যাত হ'ব।

# দানিয়েল

১ যিহূদাৰ ৰজা যিহোয়াকীমৰ ৰাজত্ব কালৰ তৃতীয় বছৰত, বাবিলৰ
ৰজা নবূখদনেচৰ যিৰূচালেমলৈ আহিল, আৰু সকলো দিশৰ পৰা
যোগান বন্ধ কৰিবলৈ নগৰখন বেৰি ধৰিলে। ২ প্ৰভুৱে নবুখদনেচৰক
যিহূদাৰ ৰজা যিহোয়াকীমৰ ওপৰত জয়যুক্ত কৰিলে, আৰু তেওঁ
ঈশ্বৰৰ গৃহৰ পৰা কিছুমান পবিত্ৰ বস্তু তেওঁক দিলে। নবুখদনেচৰে
সেই বস্তুবোৰ চিনাৰ দেশত থকা নিজৰ দেৱতাৰ গৃহলৈ লৈ গ'ল; আৰু
তেওঁ সেই বস্তুবোৰ নিজৰ দেৱতাৰ ভঁৰালত হ'ল। ৩ তাৰ পাছত
ৰজাই তেওঁৰ নপুংসকসকলৰ অধ্যক্ষ অস্পনজকক কৈছিল, "ৰাজ-
বংশৰ আৰু প্ৰধান লোকসকলৰ মাজৰ কিছুমান ৪ কলঙ্ক নথকা,
দেখাত আকৰ্ষণীয়, সকলো বিদ্যাত নিপুণ, জ্ঞান আৰু বিবেচনাৰে
পৰিপূৰ্ণ, আৰু ৰাজগৃহত পৰিচৰ্যা কৰিবলৈ যোগ্যতা থকা ইস্রায়েলী
যুৱকসকলক মাতি আনা। তেওঁ তেওঁলোকক কলদীয়া সাহিত্য আৰু
ভাষা শিকাইছিল। ৫ ৰজাই তেওঁৰ বিশেষ উত্তম খাদ্যৰ পৰা আৰু তেওঁ
পান কৰা দ্ৰাক্ষাৰসৰ পৰা তেওঁলোকক প্ৰতিদিনৰ ভাগ দিছিল। এই
যুৱক সকলক তিনি বছৰৰ বাবে প্ৰশিক্ষণ দিয়া হ'ব, আৰু তাৰ পাছত
তেওঁলোকে ৰজাৰ আগত পৰিচৰ্যা কৰিব পাৰিব। ৬ তেওঁলোকৰ
মাজত যিহূদা-বংশৰ দানিয়েল, হনানিয়া, মীচায়েল, আৰু অজৰিয়াও
আছিল। ৭ নপুংসকসকলৰ অধ্যক্ষই তেওঁলোকৰ নাম সলনি কৰি
দানিয়েলক বেল্টচচৰ, হনানিয়াক চদ্ৰক, মীচায়েলক মৈচক, আৰু
অজৰিয়াক অবেদ-নগো নাম দিলে। ৮ কিন্তু দানিয়েলে ৰজাৰ উত্তম
খাদ্য আৰু পান কৰা দ্ৰাক্ষাৰসেৰে সৈতে নিজকে অশুচি নকৰিবলৈ
তেওঁ চিন্তিত আছিল; সেই বাবে দানিয়েলে নপুংসকসকলৰ অধ্যক্ষৰ
অনুমতি বিচাৰিছিলে, যাতে তেওঁ এইবোৰ খাদ্য গ্ৰহণ কৰি অশুচি
নহয়। ৯ তেতিয়া ঈশ্বৰে দানিয়েলক নপুংসকসকলৰ সেই অধ্যক্ষৰ
আগত দয়া আৰু অনুগ্ৰহ প্ৰাপ্ত কৰিলে। ১০ তাতে নপুংসকসকলৰ
সেই অধ্যক্ষই দানিয়েলক ক'লে, "মোৰ প্ৰভু মহাৰাজক মই ভয়
কৰোঁ। তোমালোকে কি খাবা আৰু কি পান কৰিবা সেই বিষয়ে ৰজাই
মোক আদেশ দিছে, কিয়নো তেওঁ তোমালোকৰ মুখ তোমালোকৰ

সমবয়সীয়া যুৱকসকলতকৈ নিকৃষ্ট দেখিব? তোমালোকৰ কাৰণে
মোৰ ওপৰত ৰজাৰ প্ৰতাপ আছে।” ১১ তাৰ পাছত দানিয়েল, হননিয়া,
মীচায়েল, আৰু অজৰিয়াৰ ওপৰত নিযুক্ত কৰা তত্ত্বাবধায়কৰ সৈতে
দানিয়েলে কথা পাতিলে। ১২ তেওঁ ক'লে, “আপুনি অনুগ্ৰহ কৰি,
দহ দিন আপোনাৰ এই দাস সকলক পৰীক্ষা কৰি চাওক; আমাক
খাবলৈ কেৱল শাক-পাচলি, আৰু পান কৰিবলৈ পানী দিয়ক। ১৩
তাৰ পাছত আমাৰ, আৰু ৰজাৰ উত্তম খাদ্য খোৱা যুৱকসকলৰ
চেহেৰাৰ পৰীক্ষা কৰি চাওক; আপুনি যি দেখিব, সেইদৰে আপোনাৰ
এই দাসবোৰলৈ ব্যৱহাৰ কৰিব।” ১৪ সেয়ে তেওঁ তেওঁলোকৰ সেই
কথাত মান্তি হৈ দহ দিনলৈকে তেওঁলোকক পৰীক্ষা কৰিলে। ১৫ দহ
দিনৰ পাছত দেখা গ'ল, ৰজাৰ উত্তম খাদ্য খোৱা যুৱকসকলতকৈ
তেওঁলোকৰ চেহেৰা অধিক স্বাস্থ্যৱান, আৰু অধিক পৰিপুষ্ট হ'ল।
১৬ সেয়ে তত্ত্বাৱধায়কে তেওঁলোকক উত্তম আহাৰ, আৰু দ্ৰাক্ষাৰসৰ
সলনি তেওঁলোকক শাক-পাচলি দিবলৈ ধৰিলে। ১৭ ঈশ্বৰে সেই
চাৰি জন যুৱকক সকলো আভ্যন্তৰীণ বিষয়ৰ শিক্ষা, জ্ঞান আৰু
প্ৰজ্ঞা দিলে। তাতে দানিয়েলে সকলো প্ৰকাৰৰ দৰ্শন আৰু সপোনৰ
কথা বুজিব পৰা হ'ল। ১৮ তাৰ পাছত ৰজাৰ দ্বাৰাই নিৰ্ণয় কৰা
যি সময়ত সকলোকে আনিবলৈ ৰজাই আজ্ঞা দিছিল। সেই সময়ত
নপুংসকসকলৰ অধক্ষ্যই ৰজা নবূখদনেচৰৰ আগত তেওঁলোকক
উপস্থিত কৰালে। ১৯ ৰজাই তেওঁলোকৰ লগত কথা পাতিলে, আৰু
তেওঁলোকৰ সকলো দলৰ মাজত, দানিয়েল, হননিয়া, মীচায়েল, আৰু
অজৰিয়াৰ তুলনাত আন কাকো পোৱা নগ'ল। সেয়ে তেওঁলোকে
ৰজাৰ আগত পৰিচৰ্যা কৰিবলৈ প্ৰস্তুত হ'ল। ২০ ৰজাই তেওঁলোকক
সোধা জ্ঞান আৰু বিবেচনাৰ প্ৰতিটো প্ৰশ্নৰ বিষয়ত, তেওঁৰ ৰাজ্যত
থকা শাস্ত্ৰজ্ঞ আৰু গণকসকলতকৈ তেওঁলোকক দহগুণে শ্ৰেষ্ঠ পালে।
২১ দানিয়েল ৰজা কোৰচৰ ৰাজত্বৰ প্ৰথম বছৰলৈকে সেই ঠাইতে
থাকিল।

**২** ৰজা নবূখদনেচৰে তেওঁৰ ৰাজত্বৰ দ্বিতীয় বছৰত এটা সপোন
দেখিলে; সেয়ে তেওঁ চিন্তিত হ'ল, আৰু তেওঁ টোপনি যাব নোৱাৰিলে।

২ তাৰ পাছত ৰজাই মায়াবী আৰু যিসকলে মৃতলোকৰ সৈতে কথা
পতাৰ দাবি কৰে, তেনে লোক, যাদুকৰ, আৰু জ্ঞানী লোকসকলক
মাতিলে; আৰু তেওঁ দেখা সপোনৰ বিষয়ে তেওঁলোকক ক'বলৈ
ইচ্ছা কৰিলে। পাছত তেওঁলোক আহিল, আৰু ৰজাৰ আগত উপস্থিত
হ'ল। ৩ তেতিয়া ৰজাই তেওঁলোকক ক'লে, "মই এটা সপোন
দেখিলোঁ, সেই সপোনৰ ফলিতা জানিবলৈ মোৰ মন উৎকণ্ঠিত
হৈছে।" ৪ তেতিয়া জ্ঞানী লোকসকলে অৰামীয়া ভাষাৰে ৰজাক ক'লে,
"মহাৰাজ চিৰজীৱি হওক! আপোনাৰ দাস যি আমি, আমাক আপোনাৰ
সপোনটো কওক, আৰু আমি তাৰ ফলিতা প্ৰকাশ কৰিম।" ৫ ৰজাই
জ্ঞানী লোকসকলক উত্তৰ দিলে, "এই বিষয়ে স্থিৰ কৰা হৈছে যে,
আপোনালোকে যদি সপোন আৰু তাৰ ফলিতা মোক ক'ব নোৱাৰে,
তেনেহ'লে আপোনালোকৰ শৰীৰ ডোখৰ ডোখৰ কৈ কটা যাব, আৰু
আপোনালোকৰ ঘৰবোৰ গোবৰৰ দ'ম যেন কৰা হ'ব। ৬ কিন্তু যদি
সেই সপোন আৰু তাৰ ফলিতা আপোনালোকে মোক ক'ব পাৰে,
তেনেহ'লে মোৰ পৰা উপহাৰ, পুৰস্কাৰ, আৰু অধিক সন্মান পাব;
সেয়ে সেই সপোন আৰু তাৰ ফলিতা মোক কওক।" ৭ তেওঁলোকে
পুনৰ উত্তৰ দি ক'লে, "মহাৰাজ আপোনাৰ দাসক সপোনটো কওঁক;
আৰু আমি তাৰ ফলিতা আপোনাক ক'ম।" ৮ ৰজাই উত্তৰ দিলে,
"মই নিশ্চয়কৈ জানিছোঁ, এই বিষয়ত মোৰ সিদ্ধান্ত দৃঢ় হোৱা দেখি
আপোনালোকে অধিক সময় বিচাৰিছে। ৯ কিন্তু যদি আপোনালোকে
সেই সপোন মোক নকয়, তেনেহ'লে আপোনালোকৰ বাবে কেৱল
এটাই শাস্তি আছে। যেতিয়ালৈকে মোৰ মন সলনি নহয়, তেতিয়ালৈকে
আপোনালোকে মোক মিছা আৰু বিভ্ৰান্তিকৰ কথা ক'বলৈ একেলগে
সন্মত হৈছে, সেয়ে এতিয়া আপোনালোকেই মোৰ আগত সপোনটোও
কওক; আৰু তেতিয়া মই জানিম যে, আপোলোকে তাৰ ফলিতাও
মোৰ আগত ক'ব পাৰিব।" ১০ জ্ঞানী লোকসকলে ৰজাক উত্তৰ দি
ক'লে, "মহাৰাজৰ দাবী পূৰণ কৰিব পৰা এনে কোনো মানুহ পৃথিবীত
নাই। মহান আৰু পৰাক্ৰমী কোনো ৰজাই মায়াবী, বা মৃতলোকৰ লগত
কথা পতাৰ দাবী কৰা জনক, বা জ্ঞানী লোকৰ পৰা কেতিয়াও এনে

বিষয়ত দাবী কৰা নাই। ১১ মহাৰাজে যি দাবী কৰিছে, সেয়া কঠিন;
আৰু মনুষ্যৰ লগত বাস নকৰা দেৱতাবোৰৰ বাহিৰে, আন কোনেও
মহাৰাজৰ আগত এই বিষয়ে ক'ব নোৱাৰে।" ১২ এই কথা শুনাৰ
পাছত ৰজা খঙাল আৰু অতিশয় ক্ৰোদ্ধান্বিত হৈ বাবিলৰ যি সকল লোক
নিজৰ জ্ঞানসম্পন্নতাৰ দ্বাৰা পৰিচিত, তেওঁলোকক ধ্বংস কৰিবলৈ
আজ্ঞা দিলে। ১৩ সেয়ে এই আজ্ঞা প্ৰচাৰিত হ'ল। জ্ঞানসম্পন্নতাৰ
দ্বাৰাই পৰিচিত লোকসকলক বধ কৰিবলৈ ধৰিলে; তেওঁলোকে
দানিয়েল আৰু তেওঁৰ বন্ধুসকলকো বধ কৰিবলৈ বিচাৰি ফুৰিলে। ১৪
তাৰ পাছত বাবিলৰ জ্ঞানসম্পন্নতাৰ দ্বাৰাই পৰিচিত লোকসকলক
বধ কৰিবলৈ ওলাই অহা ৰজাৰ দেহৰক্ষক সেনাপতি অৰিয়োকক
দানিয়েলে সুবুদ্ধি আৰু বিবেচনাৰে উত্তৰ দিলে। ১৫ দানিয়েলে ৰজাৰ
সেনাপতিক সুধিলে, "ৰজাৰ এই আজ্ঞা কিয় ইমান জৰুৰী?" সেয়ে
কি ঘটিছিল, সেই বিষয়ে অৰিয়োকে দানিয়েলক ক'লে। ১৬ তেতিয়া
দানিয়েল ভিতৰলৈ গ'ল, আৰু ৰজাৰ আগত যাতে সপোন ব্যাখ্যা
কৰিব পাৰে; সেই বাবে ৰজাৰ সৈতে সাক্ষাৎ কৰিবলৈ তেওঁ অনুৰোধ
কৰিলে। ১৭ তাৰ পাছত দানিয়েল তেওঁৰ ঘৰলৈ গ'ল, আৰু হননীয়া,
মীচায়েল, আৰু অজৰিয়াক যি ঘটিছিল সেই সকলো ব্যাখ্যা কৰিলে।
১৮ বেবিলনৰ অৱশিষ্ট জ্ঞানসম্পন্ন লোকসকলৰ সৈতে, তেওঁ আৰু
তেওঁৰ বন্ধুসকলক যাতে বধ কৰা নহয়; সেই বাবে তেওঁ স্বৰ্গৰ ঈশ্বৰৰ
পৰা সেই নিগূঢ় বিষয়ত অনুগ্ৰহ বিচাৰি প্ৰাৰ্থনা কৰিবলৈ তেওঁলোকক
মাতিলে। ১৯ সেই ৰাতি দানিয়েলৰ দৰ্শনত সেই নিগূঢ় বিষয় প্ৰকাশিত
হ'ল, তেতিয়া দানিয়েলে স্বৰ্গৰ ঈশ্বৰৰ ধন্যবাদ প্ৰশংসা কৰিলে, আৰু
ক'লে, ২০ ঈশ্বৰৰ নাম যুগে যুগে চিৰকাললৈকে ধন্য হওক; কিয়নো
জ্ঞান আৰু পৰাক্ৰম তেওঁৰেই। ২১ তেওঁ সময়, আৰু কাল পৰিবৰ্তন
কৰে; তেওঁ ৰজাক তেওঁৰ সিংহাসনৰ পৰা আঁতৰাই, আৰু সিংহাসনত
ৰজাক বহুৱাই; তেওঁ জ্ঞানীলোকক প্ৰজ্ঞা দিয়ে, আৰু বিবেচকসকলক
জ্ঞান দিয়ে। ২২ তেওঁ গভীৰ আৰু গোপন বিষয় প্ৰকাশ কৰে, কাৰণ
তেওঁ আন্ধকাৰত কি আছে তাক জানে, আৰু তেওঁৰ লগত পোহৰ
থাকে। ২৩ হে মোৰ পূৰ্বপুৰুষ পিতৃসকলৰ ঈশ্বৰ, মই আপোনাৰ

ধন্যবাদ আৰু প্ৰশংসা কৰিছোঁ; কাৰণ আপুনি মোক প্ৰজ্ঞা আৰু শক্তি
দিলে। আমি প্ৰাৰ্থনাত আপোনাৰ পৰা যি বিচাৰিছিলোঁ; এতিয়া আপুনি
মোক জনালে; ৰজাৰ চিন্তনীয় বিষয় আপুনি আমাক জনালে।" ২৪ এই
সকলোৰে সৈতে ৰজাই বাবিলৰ জ্ঞানীলোক সকলক বধ কৰিবলৈ
নিযুক্ত কৰা অৰিয়োকক দানিয়েলে চাবলৈ গ'ল। তেওঁ গৈ, তেওঁক
ক'লে, "বাবিলৰ জ্ঞানীলোক সকলক বধ নকৰিব। ৰজাৰ আগলৈ মোক
নিৰাপত্তা দি লৈ যাওক, আৰু মই ৰজাক সপোনৰ ফলিতা ক'ম।" ২৫
তেতিয়া অৰিয়োকে বেগাই দানিয়েলক ৰজাৰ ওচৰলৈ লৈ গ'ল আৰু
ৰজাক ক'লে, "দেশান্তৰিত যিহূদীসকলৰ মাজত মই এইজন মানুহ
পালোঁ, যি জনে ৰজাৰ সপোনৰ ফলিতা ক'ব।" ২৬ তেতিয়া ৰজাই
দানিয়েলক (যাক বেলটচচৰ মতা হৈছিল) ক'লে, "মই দেখা সপোন
আৰু তাৰ ফলিতা তুমি মোক ক'ব পাৰিবা নে?" ২৭ তেতিয়া দানিয়েলে
ৰজাৰ আগত উত্তৰ দি ক'লে, "মহাৰাজে দাবী কৰা নিগূঢ় বিষয়,
জ্ঞানসম্পন্ন লোক, বা মৃতলোকৰ সৈতে কথা পতাৰ দাবী কৰাজন, বা
মায়াবী, বা জ্যোতিষীৰ দ্বাৰাই প্ৰকাশিত হোৱা সম্ভৱ নহয়। ২৮ কিন্তু
মহাৰাজ, স্বৰ্গত থকা এজন ঈশ্বৰ আছে; যিজনে গোপন কথা প্ৰকাশ
কৰে, আৰু আহিব লগা দিনবোৰত কি ঘটিব, সেই সকলোকে তেওঁ
আপোনাক জানিব দিব; আপুনি শয্যাত শুই থকা সময়ত দেখা সপোন
আৰু দৰ্শন এইবোৰ: ২৯ হে মহাৰাজ, আপুনি শয্যাত ভৱিষ্যতৰ
বিষয়ে নানা কথা চিন্তা কৰিছিল; আৰু নিগূঢ় বিষয় প্ৰকাশ কৰা জনে,
আগলৈ কি ঘটিব, সেই বিষয়ে আপোনাক জানিবলৈ দিলে। ৩০ আন
জীৱিত লোকতকৈ মোৰ অধিক জ্ঞান আছে বুলি যে মোৰ আগত
এই বিষয় প্ৰকাশিত হ'ল, এনে নহয়, কিন্তু মহাৰাজে যাতে সপোনৰ
ফলিতা, আৰু আপোনাৰ মনৰ গভীৰ চিন্তা আপুনি জানিব পাৰে, সেই
বাবে মোলৈ সেই নিগূঢ় বিষয় প্ৰকাশিত হ'ল। ৩১ হে মহাৰাজ আপুনি
ওপৰলৈ চাই, এটা বৃহৎ মূৰ্তি দেখিছিল। আপোনাৰ আগত থিয় হোৱা
সেই মূৰ্তি অতিশয় ডাঙৰ আৰু উজ্জ্বল আছিল; আৰু তাৰ উজ্জ্বলতা
ভয়ানক আছিল। ৩২ সেই মূৰ্তিটোৰ মুৰ শুদ্ধ সোণৰ, বুকু আৰু বাহু
ৰূপৰ, মাজভাগ আৰু কৰঙন পিতলৰ, ৩৩ আৰু তাৰ ভৰিবোৰ লোহাৰ,

আৰু ভৰিৰ পতা কিছু পৰিমাণে লোহা আৰু কিছু পৰিমাণে মাটিৰে
তৈয়াৰী আছিল। ৩৪ আপুনি চাই থাকোঁতেই এটা শিল কাটি উলিওৱা
হ'ল, কিন্তু মনুষ্যৰ হাতৰ দ্বাৰাই কটা নহয়, আৰু সেই শিলে মূৰ্ত্তিটোৰ
ভৰিৰ লোহা আৰু মাটিৰ পতা দুখনত খুন্দা মাৰি গুড়ি কৰিলে। ৩৫
তেতিয়া সেই লোহা, মাটি, পিতল, ৰূপ আৰু সোণ একেসময়তে
ডোখৰ ডোখৰ হৈ ভাঙিলে, আৰু গ্ৰীষ্ম কালৰ মৰণা মৰা ঠাইৰ ধূলিৰ
দৰে হ'ল। বতাহে সেইবোৰ উড়ুৱাই লৈ গ'ল, আৰু তাৰ কোনো চিন
পোৱা নগল; কিন্তু যি শিলটোৱে মূৰ্ত্তিটোক খুন্দা মাৰিছিল, সেয়ে বৃহৎ
পৰ্ব্বত হ'ল, আৰু গোটেই পৃথিৱী ভৰি পৰিল। ৩৬ এয়ে আপোনাৰ
সপোন আছিল। এতিয়া আমি মহাৰাজৰ আগত ফলিতা কওঁ। ৩৭
হে মহাৰাজ, আপুনি ৰাজাধিৰাজ; স্বৰ্গৰ ঈশ্বৰে আপোনাক ৰাজ্য,
ঐশ্বৰ্য্য, পৰাক্ৰম, আৰু সন্মান দিছে। ৩৮ মানুহ বাস কৰা ঠাই, হাবিত
থকা জন্তু, আৰু আকাশৰ চৰাইবোৰক, তেওঁ আপোনাৰ হাতত দিলে,
আৰু সেই সকলোৰে ওপৰত আপোনাক শাসনকৰ্ত্তা পাতিলে; সেই
মূৰ্ত্তিটোৰ সোণৰ মুৰ আপুনিয়েই। ৩৯ আপোনাৰ পাছত, আন এটা
ৰাজ্য আহিব, যি আপোনাতকৈ নিকৃষ্ট হ'ব; আৰু তাৰ পাছত পিতলৰ
দৰে আন এক তৃতীয় ৰাজ্য আহিব, সেয়ে গোটেই পৃথিৱীত শাসন
কৰিব। ৪০ আৰু চতুৰ্থ ৰাজ্য লোহাৰ দৰে দৃঢ় হ'ব; কাৰণ লোহাই
আন বস্তু ডোখৰ ডোখৰ কৰি ভাঙে, আৰু সকলো বস্তু গুড়ি কৰে,
সেয়ে সকলো বস্তু ভাঙিব, আৰু সেইবোৰ গুড়ি হ'ব। ৪১ আপুনি
দেখাৰ দৰে, ভৰিৰ পতা আৰু ভৰিৰ আঙুলিবোৰ কিছু পৰিমাণে
শেকা মাটিৰ আৰু কিছু পৰিমাণে লোহাৰে তৈয়াৰী আছিল; সেয়ে এয়া
বিভক্ত ৰাজ্য হ'ব; এই ৰাজ্যত কিছু লোহাৰ শক্তি থাকিব, আৰু আপুনি
দেখাৰ দৰে লোহাৰ সৈতে কোমল মাটি মিহলি হৈ থাকিব। ৪২ ভৰিৰ
আঙুলিবোৰ কিছু লোহাৰ আৰু কিছু মাটিৰ দ্বাৰাই তৈয়াৰী আছিল,
সেই দৰে ৰাজ্যও এভাগ দৃঢ়, আৰু এভাগ সহজে ভাঙিব পৰা হ'ব।
৪৩ আপুনি কোমল মাটিৰ সৈতে মিহলোৱা লোহা দেখাৰ দৰে সেই
ৰাজ্যৰ লোকসকল সংমিশ্ৰণ হৈ থাকিব; কিন্তু যেনেকৈ লোহা মাটিত
লাগি নাথাকে, তেনেকৈ তেওঁলোক একেলগে বাস নকৰিব। ৪৪ আৰু

সেই ৰজাসকলৰ সময়ত স্বৰ্গৰ ঈশ্বৰে এক ৰাজ্য স্থাপন কৰিব; সেয়ে
কেতিয়াও বিনষ্ট নহ'ব, নাইবা আন লোকৰ দ্বাৰাই এই ৰাজ্য পৰাজিত
নহ'ব, আৰু সকলো ৰাজ্যক ভাঙি ডোখৰ ডোখৰ কৰি সকলোকে
সংহাৰ কৰিব; আৰু এই ৰাজ্য চিৰকাললৈকে থাকিব। ৪৫ আপুনি
দেখাৰ দৰে পৰ্বতৰ পৰা এটা শিল কাটি উলিওৱা হৈছিল; কিন্তু মনুষ্যৰ
হাতৰ দ্বাৰাই কটা নহয়। সেই শিল লোহা, পিতল, মাটি, ৰূপ আৰু সোণ
সকলোকে ডোখৰ ডোখৰকৈ ভাঙিছিল। মহান ঈশ্বৰে ইয়াৰ দ্বাৰাই
মহাৰাজক ইয়াৰ পাছত কি ঘটিব সেই বিষয়ে জনালে; সপোনটো সঁচা
আৰু তাৰ ফলিতাও বিশ্বাসযোগ্য।" ৪৬ তেতিয়া ৰজা নবূখদনেচৰে
দানিয়েলৰ আগত উবুৰি হৈ পৰিল, আৰু সন্মান জনালে; আৰু তেওঁৰ
উদ্দেশ্যে নৈবেদ্য যুগুত কৰি ধূপ উৎসৰ্গ কৰিবলৈ আজ্ঞা দিলে। ৪৭
ৰজাই দানিয়েলক ক'লে, "তোমাৰ ঈশ্বৰ সঁচা, ঈশ্বৰৰো ঈশ্বৰ, ৰজাৰো
ৰজা, আৰু নিগূঢ় বিষয় প্ৰকাশ কৰিব পৰা এজনা, সেয়ে তুমি এই
নিগূঢ় কথা বুজিব পাৰিছা।" ৪৮ তেতিয়া ৰজাই দানিয়েলক অধিক
সন্মান কৰিলে, আৰু অনেক আচৰিতজনক উপহাৰবোৰ দিলে। তেওঁ
গোটেই বাবিল দেশৰ ওপৰত দানিয়েলক শাসনকৰ্ত্তা নিযুক্ত কৰিলে।
দানিয়েল বাবিলত থকা সকলো জ্ঞানী লোকৰ ওপৰত প্ৰধান অধ্যক্ষ
হ'ল। ৪৯ দানিয়েলে ৰজাৰ আগত নিবেদন কৰিলে, আৰু ৰজাই চদ্ৰক,
মৈচক, আৰু অবেদ-নেগোকো বাবিল প্ৰদেশৰ ওপৰত ৰাজকাৰ্যত
নিযুক্ত কৰিলে; কিন্তু দানিয়েল ৰাজ প্ৰাসাদত থাকিল।

৩ ৰজা নবূখদনেচৰে ষাঠি হাত ওখ আৰু ছহাত বহল এনে এক
সোণৰ মূৰ্তি সাজি বাবিল প্ৰদেশৰ দূৰা নামৰ সমথলত স্থাপন কৰিলে।
২ তাৰ পাছত ৰজা নবূখদনেচৰে যি মূৰ্তি স্থাপন কৰিছিল, সেই মূৰ্তি
উৎসৰ্গ কৰিবৰ বাবে, প্ৰদেশৰ অধ্যক্ষ, আঞ্চলিক অধ্যক্ষ, স্থানীয়
অধ্যক্ষৰ সৈতে, প্ৰদেশৰ উপদেষ্টা, ধনভঁৰালী, বিচাৰক, বিচাৰকৰ্ত্তা
আৰু সকলো মূখ্য কৰ্মচাৰী সকলক একত্ৰিত হৈ, আহিবলৈ বাৰ্ত্তা
পঠিয়ালে। ৩ নবূখদনেচৰে যি মূৰ্তি স্থাপন কৰিছিল, সেই মূৰ্তি উৎসৰ্গ
কৰিবলৈ, প্ৰদেশৰ অধ্যক্ষ, আঞ্চলিক অধ্যক্ষ, স্থানীয় অধ্যক্ষৰ সৈতে,
প্ৰদেশৰ উপদেষ্টা, ধনভঁৰালী, বিচাৰক, বিচাৰকৰ্ত্তা আৰু সকলো মূখ্য

কৰ্মচাৰী একত্ৰিত হৈ আহিল; আৰু মূৰ্তিৰ আগত উপস্থিত হ'ল। ৪ তাৰ
পাছত ঘোষণাকাৰীয়ে উচ্চস্বৰে চিঞৰিলে, "হে সকলো দেশ লোক,
আৰু সকলো ভাষাৰ লোকসকল, আপোনালোকক আজ্ঞা দিয়া হৈছে
যে, ৫ যি সময়ত আপোলোকে শিঙা, বাঁহী, বীণা, সুৰবাহাৰ, পেপা,
আৰু সকলো ধৰণৰ বাদ্যযন্ত্ৰৰ বাদ্য শুনিবলৈ পাব, সেই সময়তেই
ৰজা নবূখদনেচৰে স্থাপন কৰা সোণৰ মূৰ্তিত আপোনালোক সকলোৱে
উবুৰি হৈ সাষ্টাঙ্গে প্ৰণিপাত কৰিব লাগিব। ৬ যি সকলে সেই মুহূৰ্তত
উবুৰি নহ'ব আৰু সেৱা নকৰিব, তেওঁলোকক প্ৰজ্বলিত অগ্নিকুণ্ডত
পেলোৱা হ'ব।" ৭ সেয়ে সকলো লোকে যেতিয়াই শিঙা, বাঁহী,
বীণা, সুৰবাহাৰ, পেপা, আৰু সকলো ধৰণৰ বাদ্যযন্ত্ৰৰ বাদ্য শুনিলে,
তেতিয়াই দেশৰ সকলো লোকে, আৰু সকলো ভাষাৰ লোকসকলে
ৰজা নবূখদনেচৰে স্থাপন কৰা সোণৰ মূৰ্ত্তিক উবুৰি হৈ সাষ্টাঙ্গে
প্ৰণিপাত কৰিলে। ৮ সেই সময়ত কলদীয়া মানুহ কেইজনমান আহিল,
আৰু যিহূদীসকলৰ অহিতে অভিযোগ কৰিলে। ৯ তেওঁলোকে ৰজা
নবূখদনেচৰক ক'লে, "মহাৰাজ চিৰজীৱি হওক! ১০ হে মহাৰাজ
আপুনি এই আজ্ঞা কৰিছিল যে, প্ৰতিজন ব্যক্তিয়ে যেতিয়াই শিঙা,
বাঁহী, বীণা, সুৰবাহাৰ, পেপা, আৰু সকলো ধৰণৰ বাদ্যযন্ত্ৰৰ বাদ্য
শুনিব, তেতিয়াই সকলোৱে সোণৰ মূৰ্তিত উবুৰি হৈ সাষ্টাঙ্গে প্ৰণিপাত
কৰিব লাগিব। ১১ কিন্তু যি জনে উবুৰি হৈ সেৱা নকৰিব, তেওঁক
প্ৰজ্বলিত অগ্নিকুণ্ডত পেলোৱা হ'ব। ১২ ইয়াত বাবিল প্ৰদেশৰ ৰাজ
কাৰ্যত আপুনি নিযুক্ত কৰা চদ্ৰক, মৈচক, আৰু অবেদ-নেগো নামেৰে
কেইজনমান যিহূদীলোক আছে; তেওঁলোকে আপোনাৰ কথালৈ
মনোযোগ দিয়া নাই। তেওঁলোকে আপোনাৰ দেৱতাবোৰক সেৱা
নকৰে, আৰু আপুনি স্থাপন কৰা সোণৰ মূৰ্তিক সাষ্টাঙ্গে প্ৰণিপাত
নকৰে।" ১৩ ইয়াকে শুনি নবূখদনেচৰে খং আৰু ক্ৰোধেৰে পৰিপূৰ্ণ
হ'ল, আৰু চদ্ৰক, মৈচক আৰু অবেদ-নেগোক তেওঁৰ ওচৰলৈ আনিবলৈ
আজ্ঞা দিলে। তেতিয়া তেওঁলোকে সেই লোক কেইজনক ৰজাৰ
ওচৰলৈ আনিলে। ১৪ নবূখদনেচৰে তেওঁলোকক ক'লে, "হে চদ্ৰক,
মৈচক আৰু অবেদ-নেগো, আপোনালোকে মোৰ দেৱতাবোৰক সেৱা

কৰা নাই, আৰু মই স্থাপন কৰা সোণৰ মূৰ্তিত সাষ্টাঙ্গে প্ৰণিপাত কৰা
নাই, এই কাৰ্য আপোনালোকে জানিয়ে কৰিছে নে? ১৫ এতিয়াও যদি
আপোনালোকে শিঙা, বাঁহী, বীণা, সুৰবাহাৰ, পেপা, আৰু সকলো
ধৰণৰ বাদ্যযন্ত্ৰৰ ধ্বনি শুনাৰ সময়ত মই সজা সোণৰ মূৰ্তিত উবুৰি হৈ
সাষ্টাঙ্গে প্ৰণিপাত কৰিবলৈ যুগুত হয়, তেনেহ'লে সকলো ভালে হ'ব;
কিন্তু যদি আপোনালোকে সেৱা নকৰে, তেনেহ'লে সেই মুহূৰ্ত্ততেই
আপোনালোকক প্ৰজ্বলিত অগ্নিকুণ্ডত পেলোৱা হ'ব। মোৰ হাতৰ
পৰা আপোনালোকক উদ্ধাৰ কৰিব পৰা দেৱতা কোন আছে?" ১৬
তেতিয়া চদ্ৰক, মৈচক আৰু অবেদ-নেগোৱে ৰজাক উত্তৰ দি ক'লে,
"হে নবূখদনেচৰ, আপোনাক এই বিষয়ে উত্তৰ দিয়া আমাৰ একো
প্ৰয়োজন নাই। ১৭ ইয়াৰ উত্তৰ যদি আছে, তেনেহ'লে মহাৰাজ, আমি
যি জনাৰ সেৱা কৰোঁ, আমাৰ সেই ঈশ্বৰে প্ৰজ্বলিত অগ্নিকুণ্ডৰ পৰা
আমাক ৰক্ষা কৰিবলৈ সমৰ্থ, আৰু তেওঁ আমাক আপোনাৰ হাতৰ
পৰা উদ্ধাৰ কৰিব পাৰে। ১৮ কিন্তু যদি উদ্ধাৰ নকৰেও, তথাপিও হে
মহাৰাজ, আপোনাক জনাওঁ যে, আমি আপোনাৰ দেৱতাবোৰক সেৱা
নকৰোঁ, আৰু আপুনি স্থাপন কৰা সোণৰ মূৰ্তিক সাষ্টাঙ্গে প্ৰণিপাত
নকৰোঁ।" ১৯ তাৰ পাছত নবূখদনেচৰে ক্ৰোধেৰে পৰিপূৰ্ণ হৈ চদ্ৰক,
মৈচক আৰু অবেদ-নেগোৰ অহিতে মুখমণ্ডল বিকৃত কৰিলে। তেওঁ
অগ্নিকুণ্ডৰ জুই নিয়মিত পৰিমাণতকৈ সাত গুণ বেছি প্ৰজ্বলিত কৰিবলৈ
আজ্ঞা দিলে। ২০ তাৰ পাছত তেওঁ তেওঁৰ সৈন্যৰ মাজৰ কিছুমান বলী
মানুহক চদ্ৰক, মৈচক আৰু অবেদ-নেগোক বান্ধি প্ৰজ্বলিত অগ্নিকুণ্ডত
পেলাবলৈ আজ্ঞা দিলে। ২১ তেতিয়া সেই কেইজনক চোলা, জামা,
পাগুৰি, আৰু আন আন বস্ত্ৰৰ সৈতে তেওঁলোকক বান্ধি অগ্নিকুণ্ডত
পেলাই দিয়া হ'ল। ২২ ৰজাৰ আজ্ঞা যথাযথভাবে পালন কৰা হৈছিল,
আৰু অগ্নিকুণ্ড অতিশয় তপত আছিল, সেয়ে চদ্ৰক, মৈচক আৰু অবেদ-
নেগোক লৈ যোৱা মানুহ কেইজনক সেই অগ্নিশিখাই গ্ৰাস কৰিলে। ২৩
চদ্ৰক, মৈচক আৰু অবেদ-নেগো, এই তিনি জন লোক বন্ধা অৱস্থাতে
অগ্নিকুণ্ডৰ ভিতৰত পৰিল। ২৪ তাৰ পাছত ৰজা নবূখদনেচৰে আচৰিত
হৈ বেগাই থিয় হ'ল। তেওঁ তেওঁৰ পৰামৰ্শদাতা সকলক সুধিলে, "আমি

তিনি জন মানুহক বান্ধি জুইত পেলোৱা নাছিলো নে?” তেওঁলোকে
উত্তৰ দি ক’লে, “হয় মহাৰাজ।” ২৫ তেতিয়া ৰজাই ক’লে, “কিন্তু
মই চাৰিজন মানুহ মুকলি হৈ জুইৰ মাজত অহা-যোৱা কৰি থকা
দেখিছোঁ; আৰু তেওঁলোকৰ একো ক্ষতি হোৱা নাই, আৰু চতুৰ্থ জনৰ
উজ্জলতা দেৱতাৰ পুত্ৰৰ দৰে।” ২৬ তেতিয়া নবূখদনেচৰে সেই
প্ৰজ্বলিত অগ্নিকুণ্ডৰ দুৱাৰৰ ওচৰলৈ গৈ মাতিলে, “হে সৰ্বোপৰি ঈশ্বৰৰ
দাস চদ্ৰক, মৈচক আৰু অবেদ-নগো ওলাই আহাঁ; ইয়ালৈ আহাঁ!”
তাতে চৈদ্ৰক, মৈচক আৰু অবেদ-নেগো অগ্নিৰ মাজৰ পৰা ওলাই
আহিল। ২৭ প্ৰদেশৰ অধ্যক্ষ, আঞ্চলিক অধ্যক্ষ, আন অধ্যক্ষসকল,
আৰু ৰজাৰ পৰামৰ্শদাতাসকল সকলোৱে সেই তিনিজন লোকক
চাবলৈ একগোট হ’ল। তেওঁলোকৰ শৰীৰত জুইয়ে একো ক্ষতি কৰা
নাছিল, তেওঁলোকৰ মূৰৰ চুলি এডালো পোৰা নাছিল, তেওঁলোকৰ
বস্ত্ৰও নষ্ট হোৱা নাছিল, আৰু তেওঁলোকৰ গাত জুইৰ গোন্ধও নাছিল।
২৮ তেতিয়া নবূখদনেচৰে ক’লে, “চদ্ৰক, মৈচক আৰু অবেদ-নেগোক
নিজৰ দূত পঠিয়াই ৰক্ষা কৰা ঈশ্বৰক আহাঁ আমি প্ৰশংসা কৰোঁহক!
তেওঁলোকে মোৰ আজ্ঞা লঙ্ঘন কৰা সময়ত তেওঁলোকে তেওঁতেই
ভৰসা কৰিছিল, আৰু নিজৰ ঈশ্বৰৰ বাহিৰে আন দেৱতাক যেন সেৱা
বা সাষ্টাঙ্গে প্ৰণিপাত কৰিবলগীয়া নহয়, সেই বাবে তেওঁলোকৰ শৰীৰ
সমৰ্পণ কৰিলে। ২৯ সেই কাৰণে মই এই আজ্ঞা দিছোঁ যে, যিকোনো
লোক, যিকোনো দেশ, বা যিকোনো ভাষাৰ লোকে চদ্ৰক, মৈচক আৰু
অবেদ-নেগোৰ ঈশ্বৰৰ বিৰুদ্ধে ক’ব, তেওঁলোকক ডোখৰ ডোখৰকৈ
কটা যাব, আৰু তেওঁলোকৰ ঘৰ জাবৰৰ দ’মৰ দৰে কৰা হ’ব; কাৰণ
এইদৰে ৰক্ষা কৰিব পৰা ইয়াত আন কোনো দেৱতা নাই।” ৩০
তেতিয়া ৰজাই চদ্ৰক, মৈচক আৰু অবেদ-নেগোক বাবিল প্ৰদেশত
উচ্চ পদত নিযুক্ত কৰিলে।

**4** পৃথিৱীত থকা সকলো লোক, দেশ, আৰু সকলো ভাষাৰ
লোকসকললৈ ৰজা নবূখদনেচৰে এই আজ্ঞা দি পঠিয়ালে,
“আপোনালোকৰ মাজত শান্তি বৃদ্ধি হওক! ২ সৰ্বোপৰি ঈশ্বৰে মোৰ
বাবে যি অদ্ভুত লক্ষণ আৰু আচৰিত কাৰ্য দেখুৱালে, সেই সকলোকে

মই প্ৰচাৰ কৰা উচিত বুলি ভবিলোঁ। ৩ তেওঁৰ অদ্ভুত লক্ষণবোৰ
কেনে মহৎ! আৰু তেওঁৰ আচৰিত কাৰ্যবোৰ কেনে পৰাক্ৰমী! তেওঁৰ
ৰাজ্য চিৰকলীয়া ৰাজ্য, আৰু তেওঁৰ ৰাজত্ব পুৰুষানুক্ৰমে থাকে।" ৪
মই নবূখদনেচৰে মোৰ ঘৰত শান্তিৰে আৰু মোৰ ৰাজগৃহত কুশলে
আছিলোঁ। ৫ কিন্তু এটা সপোনে মোক আতঙ্কিত কৰিলে; আৰু মই
শুই থকা সময়ত দেখা প্ৰতিবিম্ব আৰু মানসিক দৰ্শনে মোক ব্যাকুল
কৰিলে। ৬ সেয়ে মোৰ সপোনৰ ফলিতা মোক জনাবৰ বাবে বাবিলৰ
সকলো জ্ঞানসম্পন্ন লোকক মোৰ ওচৰলৈ আনিবলৈ মই আজ্ঞা
কৰিলোঁ। ৭ তেতিয়া মায়াবীলোক, মৃতলোকৰ লগত কথা পতা দাবী
কৰা লোক, জ্ঞানীলোক, জ্যোতিষী সকল মোৰ ওচৰলৈ আহিল। মই
তেওঁলোকক সপোনটো কলোঁ; কিন্তু তেওঁলোকে মোক তাৰ ফলিতা
ক'ব নোৱাৰিলে। ৮ কিন্তু শেষত মোৰ দেৱতাৰ নাম অনুসাৰে যাৰ
নাম বেলটচচৰ, আৰু যাৰ অন্তৰত পবিত্ৰ দেৱতাবোৰৰ আত্মা আছে,
সেই দানিয়েল মোৰ সন্মুখলৈ আহিল; আৰু মই তেওঁক মোৰ সপোন
ক'লোঁ, ৯ "হে মায়াবীসকলৰ প্ৰধান অধ্যক্ষ বেলটচচৰ, মই জানোঁ যে,
পবিত্ৰ দেৱতাবোৰৰ আত্মা আপোনাত আছে, আৰু কোনো নিগূঢ় বিষয়
আপোনাৰ বাবে কঠিন নহয়। মোৰ সপোন, আৰু সপোনৰ ফলিতা
মোক কোৱা। ১০ মই মোৰ শয্যাত শুই থকা সময়ত মোৰ মানসিক
দৰ্শনত মই দেখিলোঁ: পৃথিৱীৰ মাজত এজোপা গছ আছিল, আৰু তাৰ
উচ্চতা অতিশয় অধিক আছিল। ১১ সেই গছ বৃদ্ধি হৈ বৃহৎ হ'ল, আৰু
তাৰ আগভাগে আকাশ ঢুকি পোৱা হ'ল; আৰু সমগ্ৰ পৃথিৱীৰ প্ৰান্তৰ
পৰা তাক দেখা গ'ল। ১২ তাৰ পাতবোৰ ধুনীয়া, তাৰ ফল প্ৰচুৰ
পৰিমাণৰ আছিল আৰু সকলোৰে বাবে খাব পৰা আছিল। তাৰ তলত
বনৰীয়া জন্তুবোৰে ছাঁ লৈছিল, তাৰ ডালবোৰত আকাশৰ চৰাইবোৰে
বাঁহ লৈছিল, আৰু সকলো জীৱিত প্ৰাণীয়ে তাৰ পৰা আহাৰ পাইছিল।
১৩ মই মোৰ শয্যাত শুই থকা সময়ত দৰ্শন দেখিলোঁ যে, এজন
পবিত্ৰ বাৰ্ত্তাবাহক স্বৰ্গৰ পৰা নামি আহিল। ১৪ তেওঁ চিঞৰী ক'লে,
"গছজোপা কাটা, আৰু তাৰ ডালবোৰ কাটি পেলোৱা, তাৰ পাতবোৰ
চুঁচি পেলোৱা, আৰু তাৰ ফলবোৰ সিঁচৰিত কৰি পেলোৱা। তাৰ তলৰ

পৰা জন্তুবোৰ, আৰু তাৰ ডালবোৰৰ পৰা পক্ষীবোৰ পলাই যাওক।
১৫ কিন্তু তোমালোকে তাৰ মুঢ়াটো লোহা আৰু পিতলৰ শিকলিৰে
বান্ধি পথাৰৰ মাটিত কুমলীয়া ঘাঁহৰ মাজত ৰাখা। আকাশৰ পৰা
অহা নিয়ৰত তাক তিতিব দিয়া; মাটিত থকা গছ গছনিৰ মাজত
জন্তুবোৰৰ লগত তাক থাকিবলৈ দিয়া। ১৬ সাত বছৰলৈকে তেওঁৰ
হৃদয় মনুষ্য হৃদয়ৰ পৰা সলনি কৰি তেওঁক জন্তুৰ হৃদয় দিয়া হওক।
১৭ এই সিদ্ধান্ত বাৰ্ত্তাবাহকে জনোৱা আজ্ঞাৰ দ্বাৰাই আৰু পবিত্ৰ জনাৰ
দ্বাৰাই লোৱা সিদ্ধান্ত। সেয়ে যিসকল জীৱিত তেওঁলোকে জানিব লাগে
যে, মানুহৰ ৰাজ্যত সৰ্ব্বোপৰি জনাই শাসন কৰে, আৰু যিজনকে
তেওঁ ইচ্ছা কৰে, সেই জনক সেই ৰাজ্য দিয়ে, এনে কি, অতি নম্ৰ
লোককো তাৰ ওপৰত নিযুক্ত কৰে।' ১৮ মই ৰজা নবূখদনেচৰে
এই সপোন দেখিলোঁ। এতিয়া হে বেলটচচৰ, আপুনি ইয়াৰ ফলিতা
কওক; কিয়নো মোৰ ৰাজ্যত থকা কোনো জ্ঞানসম্পন্ন লোকে মোক
ইয়াৰ ফলিতা ক'ব পৰা নাই। আপুনি ক'ব পাৰিব, কাৰণ আপোনাৰ
অন্তৰত পবিত্ৰ দেৱতাবোৰৰ আত্মা আছে।" ১৯ তেতিয়া বেলটচচৰ
নামেৰে প্ৰখ্যাত দানিয়েলে অলপ সময়ৰ বাবে বিচলিত হ'ল, আৰু
চিন্তাত ব্যাকুল হ'ল। ৰজাই ক'লে, "হে বেলটচচৰ, সেই সপোন আৰু
তাৰ ফলিতাই আপোনাক ব্যাকুল নকৰক।" বেলটচচৰে উত্তৰ দি
ক'লে, "হে মোৰ প্ৰভু, আপোনাক ঘিণ কৰা সকল আৰু আপোনাৰ
শত্ৰুবোৰৰ বাবে এই সপোন আৰু ইয়াৰ ফলিতা হওক। ২০ আপুনি
দেখা সেই গছ বৃদ্ধি হৈ বৃহৎ হ'ল, ওখই আকাশ ঢুকি পোৱা হ'ল, আৰু
পৃথিৱীৰ সকলো প্ৰান্তৰ পৰা সেই গছজোপা দেখা গ'ল। ২১ তাৰ পাত
ধুনীয়া আৰু তাৰ ফল প্ৰচুৰ পৰিমাণে আছিল, সেয়ে সকলোৰে বাবে
খাব পৰা হৈছিল, তাৰ তলত বনৰীয়া জন্তুবোৰে বাস কৰিছিল, আৰু
তাৰ ডালবোৰত আকাশৰ চৰাইবোৰে বাঁহ লৈছিল। ২২ হে মহাৰাজ,
সেই গছজোপা আপুনিয়েই। আপুনি বৃদ্ধি হৈ অতি বলৱান হৈছে,
আপোনাৰ মহিমা বৃদ্ধি পাই আকাশ ঢুকি পোৱা হৈছে; আপোনাৰ
ক্ষমতা পৃথিৱীৰ অন্তলৈকে হৈছে। ২৩ মহাৰজা আপুনি দেখিছিল যে,
এজন পবিত্ৰ বাৰ্ত্তাবহক স্বৰ্গৰ পৰা নামি আহিছিল, আৰু আপোনাক

কৈছিল, “গছজোপা কাটি নষ্ট কৰা; কিন্তু তাৰ মূঢ়াটো লোহা আৰু
পিতলৰ শিকলিৰে বান্ধি মাটিত পথাৰৰ কুমলীয়া ঘাঁহৰ মাজত ৰাখা;
তাক আকাশৰ নিয়ৰত তিতিব দিবা, আৰু সাত বছৰলৈকে পথাৰৰ
জন্তুবোৰৰ লগত তাক থাকিব দিবা।” ২৪ হে মহাৰাজ, ইয়াৰ ফলিতা
এই, মোৰ প্ৰভু মহাৰাজলৈ সৰ্ব্বোপৰি জনাৰ পৰা অহা আজ্ঞা এই।
২৫ মানুহৰ ৰাজ্য যে সৰ্ব্বোপৰি জনাই শাসন কৰে, আৰু তেওঁ যিজনক
দিবলৈ ইচ্ছা কৰে, সেই জনকে সেই ৰাজ্য দিয়ে, এই কথা আপুনি
নজনালৈকে, আপোনাক মানুহৰ মাজৰ পৰা দূৰ কৰা হ'ব, আৰু পথাৰৰ
পশুবোৰৰ লগত আপুনি বাস কৰিব লাগিব, আপুনি গৰুৰ দৰে ঘাঁহ
খাব লাগিব, আৰু আপুনি আকাশৰ পৰা অহা নিয়ৰত তিতিব লাগিব,
এইদৰে আপোনাৰ ওপৰত সাত বছৰৰ অতিবাহিত হ'ব। ২৬ কিন্তু
গছৰ মুঢ়াটো যে ৰাখিবলৈ আজ্ঞা দিয়া হৈছিল, তাৰ অৰ্থ এই, স্বৰ্গৰ
বিধিসমূহৰ শিক্ষা পোৱাৰ পাছতহে, আপোনাৰ হাতলৈ আপোনাৰ
ৰাজ্য পুনৰ ঘূৰি আহিব। ২৭ এই কাৰণে, হে মহাৰাজ, মোৰ পৰামৰ্শ
আপোনাৰ আগত গ্ৰাহ্য হওক; পাপ নকৰিব, আৰু সৎ কাৰ্য কৰক।
নিপীড়িত সকলক দয়া কৰক আৰু আপুনি অপৰাধৰ পৰা দূৰ হওক;
তাৰ দ্বাৰাই আপোনাৰ উন্নতি দীৰ্ঘকালীন হ'ব পাৰে। ২৮ এই সকলো
ৰজা নবূখদনেচৰত ঘটিলে। ২৯ বাৰ মাহৰ পাছত তেওঁ বাবিলৰ
ৰাজ-গৃহত তেওঁ খোজ কাঢ়ি আছিল, ৩০ ৰজাই কৈছিল, “মই মোৰ
ঐশ্বৰ্যৰ গৌৰৱৰ বাবে মোৰ ৰাজকীয় গৃহ নিৰ্মাণ কৰিছিলোঁ, এয়াই
সেই বিশাল বাবিল নহয় নে?” ৩১ ৰজাই এই কথা কৈ থাকোঁতেই,
আকাশীবাণী হ'ল, হে ৰজা নবূখদনেচৰ তোমাৰ বিৰুদ্ধে আজ্ঞা দিয়া
হৈছে যে; এই ৰাজ্য দীৰ্ঘদিন তোমাৰ হৈ নাথাকিব। ৩২ মানুহৰ মাজৰ
পৰা তোমাক দূৰ কৰা হ'ব; পথাৰত বনৰীয়া জন্তুৰ সৈতে তোমাৰ
ঘৰ হ'ব; আৰু গৰুৰ দৰে তুমি ঘাঁহ খাব লাগিব। সৰ্ব্বোপৰি জনাই
শাসন কৰে, আৰু তেওঁ যিজনক দিবলৈ ইচ্ছা কৰে, সেই জনকে সেই
ৰাজ্য দিয়ে, এই কথা আপুনি নজনালৈকে, সাত বছৰ অতিবাহিত
হ'ব।” ৩৩ এই আজ্ঞা সেই মুহূৰ্ত্ততে নবূখদনেচৰৰ বিৰুদ্ধে ফলিয়ালে।
তেওঁক মানুহৰ মাজৰ পৰা দূৰ কৰা হ'ল, আৰু তেওঁ গৰুৰ দৰে ঘাঁহ

খালে, তেওঁৰ শৰীৰ আকাশৰ নিয়ৰত তিতিলে; তেওঁৰ চুলি ঈগল
চৰাইৰ পাখিৰ দৰে দীঘল হ'ল, আৰু তেওঁৰ নখ চৰাইৰ নখৰ দৰে
বাঢ়িল। ৩৪ সেই দিনবোৰৰ শেষত মই নবূখদনেচৰে স্বৰ্গলৈ দৃষ্টি
কৰিলোঁ, আৰু মোৰ মানসিক সুস্থতা মোক ঘূৰাই দিয়া হ'ল। "মই
সৰ্ব্বোপৰি জনাৰ প্ৰশংসা কৰিলোঁ, আৰু অনন্ত কাললৈকে থকা জনাক
সন্মান আৰু গৌৰৱ কৰিলোঁ; কাৰণ তেওঁৰ ৰাজ শাসন চিৰকলীয়া ৰাজ
শাসন, আৰু তেওঁৰ ৰাজ্য পুৰুষানুক্ৰমে স্থিৰ হৈ থাকে। ৩৫ তেওঁৰ
দ্বাৰাই পৃথিৱীৰ সকলো নিবাসী একো নোহোৱাৰ দৰে বিবেচিত হৈছে;
তেওঁ স্বৰ্গৰ বাহিনীসকলৰ আৰু পৃথিৱী নিবাসী সকলৰ মাজত নিজৰ
ইচ্ছা অনুসাৰে কাৰ্য কৰে; কোনেও তেওঁক ৰখাব নোৱাৰে, বা তেওঁক
আপত্তি কৰিব নোৱাৰে; আৰু 'আপুনি কি কৰিছে?' এই বুলি তেওঁক
কোনেও সুধিব নোৱাৰে।" ৩৬ সেই একে সময়তে মোৰ মানসিক
সুস্থতা মোলৈ ঘূৰি আহিল, আৰু মোৰ ৰাজ্যৰ গৌৰৱৰ অৰ্থে মোৰ
ৰাজপদ আৰু ঐশ্বৰ্য মোলৈ ঘূৰি আহিল। মোৰ উপদেষ্টা আৰু মূখ্য
লোকসকলে মোৰ অনুগ্ৰহ বিচাৰিলে; মোৰ সিংহাসন মোক পুনৰায়
দিয়া হ'ল, এনে কি, মোৰ মহত্বও মোক দিয়া হ'ল। ৩৭ এতিয়া মই
নবূখদনেচৰে স্বৰ্গৰ ৰজাৰ প্ৰশংসা, গুণ কীৰ্ত্তন আৰু তেওঁক সমাদৰ
কৰিছোঁ; কাৰণ তেওঁৰ সকলো কাৰ্য সত্য, আৰু তেওঁৰ পথবোৰ ন্যায়।
যি সকলে নিজৰ অহংকাৰত চলে, তেওঁ তেওঁলোকক নম্ৰ কৰিব
পাৰে।

**৫** বহু বছৰৰ পাছত বেলচচৰ ৰজাই তেওঁৰ এক হাজাৰ প্ৰধান
লোকৰ বাবে এটা বৰ ভোজ দিলে, আৰু সেই এক হাজাৰ লোকৰ
সাক্ষাতে তেওঁ দ্ৰাক্ষাৰস পান কৰিলে। ২ বেলচচৰে দ্ৰাক্ষাৰস পান
কৰি থাকোঁতে, যিৰূচালেম মন্দিৰৰ পৰা তেওঁৰ পিতৃ নবূখদনেচৰে
অনা সোণৰ আৰু ৰূপৰ পাত্ৰবোৰত যাতে ৰজা আৰু তেওঁৰ প্ৰধান
লোকসকল, তেওঁৰ পত্নী আৰু উপপত্নীসকলে পান কৰিব পাৰে,
সেই বাবে সেই পাত্ৰবোৰ আনিবলৈ আজ্ঞা কৰিলে। ৩ যিৰূচালেমত
থকা ঈশ্বৰৰ গৃহৰ মন্দিৰৰ পৰা অনা সেই সোণৰ পাত্ৰবোৰ দাস
সকলে আনিলে। ৰজা আৰু তেওঁৰ প্ৰধান লোকসকল, তেওঁৰ পত্নী

আৰু উপপত্নীসকলে সেই পাত্ৰবোৰত পান কৰিলে। ৪ তেওঁলোকে
দ্ৰাক্ষাৰস পান কৰি তেওঁলোকৰ সোণ, ৰূপ, পিতল, লোহা, কাঠ, আৰু
শিলৰ দেৱতাবোৰৰ প্ৰশংসা কৰিলে। ৫ সেই মুহূৰ্ত্ততে মানুহৰ হাতৰ
আঙুলি ওলাই দীপাধাৰৰ সন্মুখত দেখা দিলে, আৰু ৰাজ প্ৰাসাদৰ
দেৱালত লিপা চূণৰ ওপৰত লিখিলে। লিখি থকাৰ সময়ত ৰজাই
হাতৰ এটা অংশ দেখা পালে। ৬ তেতিয়া ৰজাৰ মুখ বিবৰ্ণ হ'ল, তেওঁ
চিন্তাত ব্যাকুল হ'ল; তেওঁৰ অঙ্গ-প্ৰত্যঙ্গই ভাৰগ্ৰস্ত হ'ল, আৰু তেওঁৰ
আঁঠু কঁপিবলৈ ধৰিলে। ৭ ৰজাই বৰকৈ চিঞৰী, মৃতলোকৰ লগত
কথা পতা বুলি দাবী কৰা সকলক, জ্ঞানীলোকক, আৰু জ্যোতিষী
সকলক আনিবলৈ আজ্ঞা দিলে। ৰজাই বাবিলত নিজৰ জ্ঞানসম্পন্নতাৰ
দ্বাৰাই পৰিচিত লোকসকলক ক'লে, "যি কোনোৱে ইয়াত লিখা
কথা আৰু ইয়াৰ অৰ্থ মোক ব্যাখ্যা কৰি বুজাব, তেওঁক বেঙেনা
বৰণীয়া বস্ত্ৰ পিন্ধোৱা হ'ব, আৰু তেওঁৰ ডিঙিত সোণৰ হাৰ দিয়া
হ'ব। তেওঁক ৰাজ্যৰ তৃতীয় শ্ৰেণীৰ শাসকৰ ক্ষমতা দিয়া হ'ব। ৮
তাৰ পাছত ৰজাৰ লোকসকল, যি নিজৰ জ্ঞানসম্পন্নতাৰ দ্বাৰাই
পৰিচিত, তেওঁলোকে ভিতৰলৈ সোমাল; কিন্তু তেওঁলোকে সেই লিখা
কথা পঢ়িব নোৱাৰিলে, বা ৰজাক তাৰ অৰ্থ ব্যাখ্যা কৰি বুজাবও
নোৱাৰিলে। ৯ তেতিয়া ৰজা বেলচচৰ অতিশয় ব্যাকুল হ'ল, আৰু
তেওঁৰ মুখ বিবৰ্ণ হ'ল। তাতে তেওঁৰ প্ৰধান লোকসকল বিহ্বল হ'ল।
১০ তেতিয়া ৰজা আৰু তেওঁৰ প্ৰধান লোকসকলৰ কথা শুনি, ৰাজমাতা
ভোজৰ ঘৰৰ ভিতৰলৈ সোমাই আহিল, ৰাজমাতাই ক'লে, "মহাৰাজ
চিৰজীৱি হওক! আপোনাৰ চিন্তাই আপোনাক অশান্তি নকৰক, আৰু
আপোনাৰ মুখ বিবৰ্ণ নহওক। ১১ পবিত্ৰ দেৱতাবোৰৰ আত্মা থকা
এজন মানুহ আপোনাৰ ৰাজ্যত আছে। আপোনাৰ পিতৃ থকা সময়ত
জ্ঞান, বিবেচনা, আৰু দেৱতাবোৰৰ প্ৰজ্ঞাৰ দৰে প্ৰজ্ঞা তেওঁত বিচাৰি
পোৱা গৈছিল। আপোনাৰ পিতৃ, ৰজা নবূখদনেচৰে, তেওঁক শাস্ত্ৰজ্ঞ,
মৃতলোকৰ লগত কথা পতাসকল, জ্ঞানীলোক, আৰু জ্যোতিষী সকলৰ
ওপৰত অধ্যক্ষ নিযুক্ত কৰিছিল। ১২ তেওঁৰ অন্তৰত উত্তম আত্মা,
বিবেচনা শক্তি, সপোনৰ ফলিতা ক'ব পৰা, নিগূঢ় বাক্য ব্যাখ্যা কৰিব

পৰা, আৰু সমস্যা সামাধান কৰিব পৰা গুণ পোৱা গৈছিল; তেওঁৰ
নাম দানিয়েল, ৰজাই তেওঁক বেলটচচৰ নাম দিছিল। এতিয়া সেই
দানিয়েলক মতা হওক, আৰু তেৰেঁ আপোনাক ইয়াত কি লিখা আছে
তাৰ অৰ্থ ক'ব।" ১৩ তাৰ পাছত দানিয়েলক ৰজাৰ ওচৰলৈ অনা হ'ল,
ৰজাই দানিয়েলক ক'লে, "মোৰ পিতৃ মহাৰাজে যিহূদা দেশৰ পৰা
অনা দেশান্তৰিত যিহূদী লোকসকলৰ মাজত যি দানিয়েল আছিল,
সেই দানিয়েল আপুনিয়ে নে? ১৪ মই আপোনাৰ বিষয়ে শুনিছোঁ
যে, আপোনাত দেৱতাবোৰৰ আত্মা আছে, আৰু জ্ঞান, বিবেচনা,
আৰু উত্তম প্ৰজ্ঞা আপোনাত পোৱা যায়। ১৫ জ্ঞানসম্পন্নতাৰ দ্বাৰাই
পৰিচিত লোক, আৰু মৃতলোকৰ সৈতে কথা পতা বুলি দাবী কৰা
লোকসকলক ইয়াত কি লিখা আছে পঢ়ি ইয়াৰ অৰ্থ মোক বুজাবলৈ,
মোৰ ওচৰলৈ অনা হৈছিল; কিন্তু তেওঁলোকে এই কথাখিনিৰ অৰ্থ
বুজাব নোৱাৰিলে। ১৬ মই শুনিছোঁ যে, আপুনি অৰ্থ বুজাব পাৰে,
আৰু সমস্যা সামাধান কৰিব পাৰে। সেয়ে এতিয়া যদি আপুনি এই
লিখা কথাখিনি পঢ়িব পাৰিব, আৰু ইয়াৰ অৰ্থ মোক বুজাব পাৰিব,
তেনেহ'লে আপোনাক বেঙেনা বৰণীয়া বস্ত্ৰ পৰিধান কৰোঁৱা হ'ব,
আপোনাৰ ডিঙিত সোণৰ হাৰ পিন্ধোৱা হ'ব, আৰু আপোনাক ৰাজ্যৰ
তৃতীয় শ্ৰেণীৰ শাসকৰ ক্ষমতা দিয়া হ'ব। ১৭ তেতিয়া দানিয়েলে ৰজাৰ
সন্মুখত উত্তৰ দি ক'লে, "আপোনাৰ উপহাৰবোৰ নিজৰ বাবে ৰাখক,
আৰু আপোনাৰ পুৰস্কাৰ আন লোকক দিয়ক। তথাপি মই মহাৰাজৰ
আগত এই লিখা কথাখিনি পঢ়িম, আৰু ইয়াৰ অৰ্থ মহাৰাজক বুজাম।
১৮ হে মহাৰাজ, সৰ্ব্বোপৰি ঈশ্বৰে আপোনাৰ পিতৃ নবূখদনেচৰক
ৰাজ্য, মহিমা, মৰ্যদা, আৰু ঐশ্বৰ্য দিছিল। ১৯ ঈশ্বৰে তেওঁক দিয়া
মহিমাৰ কাৰণে, সকলো দেশৰ লোক, আৰু সকলো ভাষাৰ লোকে
তেওঁৰ সাক্ষাতে কঁপিছিল আৰু ভয় কৰিছিল। তেওঁ যিসকলক বধ
কৰিবলৈ ইচ্ছা কৰিছিল, তেওঁলোকক বধ কৰিছিল, আৰু যিসকলক
জীয়াই ৰাখিবলৈ ইচ্ছা কৰিছিল, তেওঁলোকক জীয়াই ৰাখিছিল। তেওঁ
ইচ্ছা কৰা সকলক উন্নত কৰিছিল, আৰু যি সকলক ইচ্ছা কৰিছিল
তেওঁলোকক নত কৰিছিল। ২০ যেতিয়া তেওঁৰ হৃদয় অহংকাৰী

আৰু তেওঁৰ মন কঠিন হৈছিল, আৰু তেওঁ গৰ্ব্ব আচৰণ কৰিছিল,
তেতিয়া তেওঁক ৰাজ সিংহাসনৰ পৰা নমোৱা হৈছিল, আৰু তেওঁলোকে
তেওঁৰ পৰা তেওঁৰ ঐশ্বৰ্য কাঢ়ি লৈছিল। ২১ তেওঁক মানুহৰ মাজৰ
পৰা দূৰ কৰা হৈছিল, তেওঁৰ হৃদয় জন্তুৰ সদৃশ হৈছিল, আৰু তেওঁ
বনৰীয়া গাধৰ লগত বাস কৰিছিল, তেওঁ গৰুৰ দৰে ঘাঁহ খাইছিল,
আৰু তেওঁৰ শৰীৰ আকাশৰ নিয়ৰত তিতিছিল; মানুহৰ ৰাজ্যত যে,
সৰ্ব্বোপৰি ঈশ্বৰে শাসন কৰে, আৰু যিজনক তেওঁ ইচ্ছা কৰে, সেই
জনকে তাৰ ওপৰত নিযুক্ত কৰে, এই বিষয়ে তেওঁ নজনালৈকে সেই
অৱস্থাত আছিল। ২২ হে বেলচচৰ, আপুনি তেওঁৰেই পুত্ৰ, আপুনি
এই সকলো জানিও, আপোনাৰ হৃদয় নম্ৰ কৰা নাই। ২৩ স্বৰ্গৰ
প্ৰভুৰ বিৰুদ্ধে আপুনি নিজকে উচ্চ কৰিলে, আৰু তেওঁৰ গৃহৰ পৰা
পাত্ৰবোৰ তেওঁলোকে আপোনাৰ আগত আনিলে, আৰু আপুনি আৰু
আপোনাৰ প্ৰধান লোকসকল, আপোনাৰ পত্নী আৰু উপপত্নীসকলে
সেইবোৰত দ্ৰাক্ষাৰস পান কৰিলে। যিবোৰে নেদেখে, নুশুনে, আৰু
একোকে নাজানে, তেনে ৰূপ, সোণ, পিতল, লোহা, কাঠ, আৰু শিলৰ
দেৱতাবোৰক আপুনি প্ৰশংসা কৰিলে। আপোনাৰ নিশ্বাস যি জনাৰ
হাতত আছে, আৰু আপোনাৰ সকলো পথ যি জনে জানে, সেই ঈশ্বৰক
আপুনি সমাদৰ নকৰিলে। ২৪ সেই বাবে ঈশ্বৰৰ সন্মুখৰ পৰা এখন
হাত পঠালে, আৰু এই কথাখিনি লিখা হ'ল। ২৫ লিখা কথা খিনি এই,
“মিনে, মিনে, তিকেল, উফৰ্চীন।” ২৬ কথাখিনিৰ অৰ্থ এই: মিনে,
ঈশ্বৰে আপোনাৰ ৰাজ্য গণনা কৰি, তাৰ অন্ত কৰিলে; ২৭ তিকেল,
আপোনাক তুলাচনীত জোখা হ'ল, আৰু কম পোৱা গ'ল; ২৮ পিৰেচ,
আপোনাৰ ৰাজ্য ভাঙি মাদীয়া আৰু পাৰসীসকলক দিয়া হৈছে।” ২৯
তাৰ পাছত বেলচচৰে আজ্ঞা দিলে, আৰু তেওঁলোকে দানিয়েলক
বেঙেনা বৰণীয়া বস্ত্ৰ, তেওঁৰ ডিঙিত সোণৰ হাৰ পিন্ধালে; আৰু ৰাজ্যৰ
তৃতীয় শ্ৰেণীৰ শাসকৰ ক্ষমতা তেওঁৰ থাকিব বুলি ৰজাই ঘোষণা
কৰিলে। ৩০ সেই ৰাতিয়েই কলদীয়াৰ ৰজা বেলচচৰক হত্যা কৰা
হৈছিল। ৩১ তাৰ পাছত মাদীয়াৰ দাৰিয়াবচৰ প্ৰায় বাষষ্টি বছৰ বয়সত
তেওঁ সেই ৰাজ্য পাইছিল।

৬ তাৰ পাছত দাৰিয়াবচে উচিত দেখি, গোটেই ৰাজ্যৰ ওপৰত এশ
বিশ জন প্ৰাদেশিক অধ্যক্ষ নিযুক্ত কৰিলে। ২ তেওঁলোকৰ ওপৰত
তিনি জন প্ৰধান বিষয়া নিযুক্ত কৰিলে, আৰু তেওঁলোকৰ মাজত
দানিয়েল এজন আছিল। ৰজাই যাতে কোনো প্ৰকাৰৰ ক্ষতি বহন
কৰিবলগীয়া নহয় সেই বাবে এই প্ৰশাসক সকলৰ ওপৰত তত্ত্বাৱধান
কৰিবলৈ প্ৰাদেশিক সকলক নিযুক্ত কৰিছিল। ৩ দানিয়েলৰ অন্তৰত
অসাধাৰণ আত্মা থকাৰ বাবে তেওঁ আন প্ৰধান বিষয়াতকৈ আৰু
প্ৰাদেশিক অধ্যক্ষতকৈ তেওঁ বিশিষ্ট আছিল; সেয়ে ৰজাই তেওঁক
সমগ্ৰ ৰাজ্যৰ ওপৰত নিযুক্ত কৰিবলৈ চিন্তা কৰিলে। ৪ তাৰ পাছত
আন প্ৰধান বিষয়া আৰু প্ৰাদেশিক অধ্যক্ষসকলে, ৰাজ্যৰ বাবে কৰা
কাৰ্যবোৰত দানিয়েলৰ ভুল বিচাৰিলে, কিন্তু তেওঁ বিশ্বাসী হোৱাৰ
বাবে তেওঁৰ কাৰ্যত কোনো দুৰ্নীতি বা দোষ পোৱা নগ'ল; তেওঁত
কোনো ভুল বা অৱহেলা পোৱা নগ'ল। ৫ তেতিয়া সেই লোকসকলে
ক'লে, "আমি এই দানিয়েলৰ বিৰুদ্ধে অভিযোগ কৰিবলৈ কোনো
বিষয় বিচাৰি নাপালোঁ। তেওঁৰ ঈশ্বৰৰ বিধানৰ বিষয়ে ভুল বিচাৰি
নাপোৱালৈকে, আমি তেওঁৰ বিৰুদ্ধে আন কোনো ভুল বিচাৰি নাপাম।
৬ তাৰ পাছত সেই বিষয়া আৰু অধ্যক্ষসকলে ৰজাৰ আগত এটা
পৰিকল্পনাৰ কথা আনিলে, "মহাৰাজ দাৰিয়াবচ, চিৰজীৱি হওক!
৭ হে মহাৰাজ, ৰাজ্যৰ সকলো প্ৰধান বিষয়া, আঞ্চলিক অধ্যক্ষ,
প্ৰাদেশিক অধ্যক্ষ, পৰামৰ্শদাতা, আৰু দেশাধক্ষ্যসকলে একেলগে
আমি আলোচনা কৰিছোঁ আৰু সিদ্ধান্ত লৈছোঁ যে, মহাৰাজে এটা আজ্ঞা
জাৰি কৰি তাক পালন কৰিবলৈ জোৰ দিয়া উচিত; সেয়ে এই যে, হে
মহাৰাজ, যি কোনো মানুহে ত্ৰিশ দিনৰ বাবে আপোনাৰ বাহিৰে আন
কোনো দেৱতা বা মানুহৰ আগত প্ৰাৰ্থনা কৰে, সেই জনক সিংহৰ
গাতত পেলোৱা হ'ব। ৮ এতিয়া মহাৰাজ এই আজ্ঞা জাৰি কৰক,
আৰু এই নথি-পত্ৰত চহী কৰক; যাতে মাদীয়া ও পাৰসীকসকলৰ
বিধানৰ দ্বাৰাই পৰিচালিত হৈ এই আজ্ঞা সলনি নহয়। ৯ সেয়ে ৰজা
দাৰিয়াবচে নথী-পত্ৰত চহী কৰি সেই ৰাজ আজ্ঞা বিধানত সন্নিবিষ্ট
কৰিলে। ১০ যেতিয়া দানিয়েলে সেই বিধানৰ নথী-পত্ৰ চহী হোৱা

বুলি জানিলে, তেতিয়া তেওঁ নিজৰ ঘৰলৈ গল; সেই সময়ত তেওঁৰ ওপৰ-কোঁঠালিৰ খিড়িকিবোৰ যিৰূচালেমৰ ফালে খোলা আছিল, আৰু তেওঁ আগেয়ে দিনটোত তিনিবাৰ আঁঠু কাঢ়ি নিজৰ ঈশ্বৰৰ আগত প্ৰাৰ্থনা কৰাৰ দৰেই তেওঁ প্ৰাৰ্থনা কৰিলে আৰু ধন্যবাদ দিলে। ১১
তেতিয়া যিসকল লোকে একলগ হৈ ষড়যন্ত্ৰ কৰিছিল, তেওঁলোকে আহি দানিয়েলক তেওঁৰ ঈশ্বৰৰ আগত প্ৰাৰ্থনা আৰু সহায় বিচাৰি অনুৰোধ কৰি থকা দেখা পালে। ১২ তাৰ পাছত তেওঁলোকে ৰজাৰ ওচৰলৈ গ'ল আৰু তেওঁৰ আজ্ঞাৰ বিষয়ে ক'লে, "হে মহাৰাজ, যি কোনো মানুহে ত্ৰিশদিনলৈকে আপোনাৰ বাহিৰে আন কোনো দেৱতা বা মানুহৰ আগত প্ৰাৰ্থনা কৰিব, তেওঁক সিংহৰ গাতত পেলোৱা যাব, এনে আজ্ঞা আপুনি দিয়া নাছিল নে?" ৰজাই উত্তৰ দিলে, হয়, মাদীয়া আৰু পাৰসীসকলৰ বিধানৰ অনুসাৰে সেই কথা স্থিৰ কৰা হৈছিল; এই আজ্ঞা সলনি কৰা নহব।" ১৩ তেতিয়া তেওঁলোকে ৰজাৰ আগত উত্তৰ দি ক'লে, "হে মহাৰাজ, দেশান্তৰিত যিহুদীসকলৰ মাজত যি দানিয়েল, তেওঁ আপোনাক, বা আপুনি চহী কৰা আজ্ঞাক নামানে। তেওঁ নিজৰ ঈশ্বৰক প্ৰতিদিনে তিনিবাৰ প্ৰাৰ্থনা কৰে।" ১৪ ৰজাই সেই কথা শুনি, অতিশয় বেজাৰ পালে আৰু দানিয়েলক সেই নিয়মৰ পৰা ৰক্ষা কৰিবলৈ তেওঁ চিন্তা কৰিলে। ৰজাই বেলি মাৰ নোযোৱালৈকে দানিয়েলক উদ্ধাৰ কৰিবলৈ অনেক চেষ্টা কৰিলে। ১৫ তাৰ পাছত যি লোকসকল একলগ হৈ ষড়যন্ত্ৰ কৰিছিল, তেওঁলোক ৰজাৰ ওচৰলৈ গ'ল আৰু ক'লে, "হে মহাৰাজ, আপুনি জানে যে, ৰজাই জাৰি কৰা কোনো আজ্ঞা বা বিধি মাদীয়া আৰু পাৰসীয়াসকলৰ বিধান অনুসাৰে সলনি হ'ব নোৱাৰে।" ১৬ তেতিয়া ৰজাই আজ্ঞা দিয়াৰ দৰে দানিয়েলক সিংহৰ গাতত পেলোৱা হ'ল। ৰজাই দানিয়েলক ক'লে, "তুমি সদায় যি জনাৰ সেৱা কৰা, তোমাৰ সেই ঈশ্বৰে তোমাক ৰক্ষা কৰিব।" ১৭
তাৰ পাছত এটা শিল আনি গাতৰ মুখত দিয়া হ'ল; আৰু দানিয়েলৰ বিষয়ে কোনো কথা যেন সলনি নহয়, সেই বাবে ৰজাই নিজৰ আঙঠিৰ মোহৰেৰে, আৰু প্ৰধান লোকসকলৰ আঙঠিৰ মোহৰেৰে তাত ছাব মাৰিলে। ১৮ ৰজাই নিজৰ ৰাজ গৃহলৈ গ'ল, আৰু গোটেই ৰাতি

লঘোনে থাকিলে। ৰজাৰ ওচৰলৈ কোনো বাদ্যযন্ত্ৰ আনিবলৈ দিয়া
ন'হল, আৰু তেওঁৰ টোপনি নাহিল। ১৯ ৰজাই দোকমোকালিতে উঠি
বেগাই সিংহৰ গাতৰ ওচৰলৈ গ'ল। ২০ তেওঁ গাতৰ ওচৰ পাই দুখেৰে
দানিয়েলক মাতিলে। ৰজাই দানিয়েলক ক'লে, "হে জীৱন্ত ঈশ্বৰৰ
দাস দানিয়েল, তুমি সদায় যি জনাক সেৱা কৰা, তোমাৰ সেই ঈশ্বৰে
সিংহবোৰৰ পৰা তোমাক ৰক্ষা কৰিব পাৰিলে নে?" ২১ তেতিয়া
দানিয়েলে ৰজাক ক'লে, "মহাৰাজ চিৰজীৱি হওক! ২২ মোৰ ঈশ্বৰে
তেওঁৰ দূত পঠাই সিংহবোৰৰ মুখ বন্ধ কৰিলে, আৰু সিহঁতে মোৰ
অনিষ্ট কৰা নাই; কাৰণ তেওঁৰ সন্মুখত মোক নিৰ্দ্দোষী পালে; আৰু হে
মহাৰাজ, আপোনাৰ সাক্ষাতেও মই কোনো দোষ কৰা নাই।" ২৩
তেতিয়া ৰজাই অতিশয় আনন্দিত হৈছিল। ৰজাই দানিয়েলক গাতৰ
পৰা তুলিবলৈ আজ্ঞা দিলে, তাতে দানিয়েলক গাতৰ পৰা তোলা হ'ল।
দানিয়েল নিজৰ ঈশ্বৰত বিশ্বাস কৰিছিল, সেয়ে তেওঁৰ গাত কোনো
প্ৰকাৰৰ আঘাত পোৱা নগল। ২৪ ৰজাই আজ্ঞা দিয়াত, দানিয়েলৰ
অহিতে অভিযোগ কৰা সকলৰ সৈতে তেওঁলোকৰ সন্তান সকল, আৰু
ভাৰ্যা সকলক সিংহৰ গাতত পেলোৱা হ'ল। তাতে তেওঁলোক গাতৰ
তলত নাপাওঁতেই সিংহবোৰে তেওঁলোকক আক্ৰমণ কৰি তেওঁলোকৰ
হাড়বোৰ ভাঙি ডোখৰ ডোখৰ কৰিলে। ২৫ তেতিয়া ৰজা দাৰিয়াবচে
গোটেই পৃথিৱীত বাস কৰা সকলো দেশৰ লোক, আৰু সকলো ভাষাৰ
লোকলৈ এই পত্ৰ লিখিলে: "তোমালোকৰ মাজত শান্তি বৃদ্ধি হওক।
২৬ মই এই আজ্ঞা কৰিছোঁ যে, মোৰ ৰাজ্যৰ সকলো ঠাইৰ লোকসকলে
দানিয়েলৰ ঈশ্বৰৰ সাক্ষাতে কম্পমান হওক; আৰু তেওঁক ভয় কৰক;
কাৰণ তেওঁ জীৱন্ত ঈশ্বৰ, আৰু চিৰকাললৈকে থাকে; আৰু তেওঁৰ
ৰাজ্য উচ্ছন্ন নহ'ব, তেওঁৰ ৰাজত্ব শেষলৈকে থাকিব। ২৭ তেওঁ আমাক
সুৰক্ষিত কৰে, আৰু উদ্ধাৰ কৰে; স্বৰ্গ আৰু পৃথিৱীত, তেওঁ আচৰিত
কাৰ্য কৰে; তেওঁ সিংহৰ শক্তিৰ পৰা দানিয়েলক ৰক্ষা কৰে।" ২৮
সেয়ে দাৰিয়াবচৰ আৰু পাৰস্যৰ কোৰচৰ ৰাজত্বৰ সময়ত দানিয়েলৰ
উন্নতি হ'ল।

৭ বাবিলৰ ৰজা বেলচচৰ ৰাজত্বৰ প্ৰথম বছৰত, দানিয়েলে শুই
থকা সময়ত সপোন আৰু দৰ্শন পালে। তেতিয়া তেওঁ সপোনত দেখা
বিষয়বোৰ আৰু অতি গুৰুত্বপূৰ্ণ ঘটনাবোৰ লিখিলে। ২ দানিয়েলে
ব্যাখ্যা কৰিলে যে, "মই ৰাতি দৰ্শনত দেখিলোঁ যে, আকাশৰ চাৰিও
দিশৰ পৰা প্ৰচণ্ড বতাহ আহি মহাসমূদ্ৰৰ ওপৰত মন্থন হৈ আছিল।
৩ সমুদ্ৰৰ পৰা চাৰিটা প্ৰকাণ্ড জন্তু ওলাই আহিল; আৰু সিহঁতৰ
প্ৰত্যেকটো জন্তুৱেই পৃথক আছিল। ৪ প্ৰথমটো সিংহৰ দৰে, কিন্তু
কুৰৰ পক্ষীৰ ডেউকাৰ দৰে তাৰ ডেউকা আছিল; মই চাই থাকোঁতে,
তাৰ ডেউকা দুখন তাৰ পৰা বিচ্ছিন্ন কৰা হৈছিল; আৰু মানুহৰ দৰে সি
দুখন ভৰিত থিয় হৈছিল, তাক মানুহৰ হৃদয় দিয়া হৈছিল। ৫ তাৰ
পাছত দ্বিতীয়টো জন্তু ভালুকৰ দৰে, সি এফালৰ ভৰিৰে ভৰ দি উঠিল,
তাৰ মুখৰ আৰু দাঁতৰ মাজত তিনি ডাল কামীহাড় আছিল; আৰু তাক
কোৱা হৈছিল, উঠ আৰু বহুতো মানুহক খাই শেষ কৰ। ৬ তাৰ পাছত
মই পুনৰ চালোঁ। তাত আন এটা জন্তু আছিল, সি নাহৰফুটুকী বাঘৰ
দৰে। তাৰ পিঠিত চৰাইৰ ডেউকাৰ দৰে চাৰিখন ডেউকা আছিল, আৰু
সেই জন্তুৰ চাৰিটা মূৰ আছিল; তাক শাসনভাৰ দিয়া হৈছিল। ৭ তাৰ
পাছত মই ৰাতি সপোনত চতুৰ্থ জন্তুটো দেখিলোঁ; সি আতঙ্কজনক,
ভয়ঙ্কৰ, আৰু অতিশয় শক্তিমান আছিল। তাৰ ডাঙৰ ডাঙৰ লোহাৰ
দাঁত আছিল; সি ডোখৰ ডোখৰকৈ ভাঙি খাইছিল, আৰু অৱশিষ্টবোৰ
ভৰিৰে গচকিছিল। আন জন্তুবোৰতকৈ সি বেলেগ, আৰু তাৰ দহটা শিং
আছিল। ৮ মই সেই শিঙবোৰলৈ মন কৰি থাকোতেই, মই দেখিলোঁ
যে সেইবোৰৰ মাজৰ পৰা আন এটা সৰু শিং গজি ওলাইছে। পূৰ্বৰ
শিংবোৰৰ তিনিটা শিং গুৰিৰ পৰা উঘলা হৈছিল; আৰু সেই শিংটোত
মানুহৰ চকুৰ দৰে দুটা চকু, আৰু গৰ্ব্ব কৰি ডাঙৰ ডাঙৰ কথা কোৱা
এখন মুখ আছিল। ৯ মই দেখিলোঁ যে, সেই ঠাইত সিংহাসনবোৰ
স্থাপন কৰা হৈছিল, আৰু প্ৰাচীন কালে তেওঁৰ আসনত বহিলে; তেওঁৰ
বস্ত্ৰ হিমৰ দৰে বগা আছিল, আৰু তেওঁৰ মূৰৰ চুলি বিশুদ্ধ ঊণৰ দৰে
আছিল; তেওঁৰ সিংহাসন অগ্নিশিখাৰ আছিল, আৰু তাৰ চক্ৰবোৰ
জলন্ত জুইৰ আছিল। ১০ তেওঁৰ সন্মুখেৰে এখন অগ্নিৰ নৈ বৈ গৈছিল;

হাজাৰ হাজাৰে তেওঁৰ পৰিচৰ্যা কৰিছিল, আৰু অযুত অযুত দূতে
তেওঁৰ আগত থিয় হৈছিল; ন্যায়ালয়ৰ সভা বহিছিল, আৰু পুথিবোৰ
খোলা আছিল। ১১ মই একেৰাহে চাই আছিলোঁ, কাৰণ সেই গৰ্ব্বৰ
কথাবোৰ সেই শিঙটোৱে কৈ আছিল। মই চালোঁ সেই জন্তুটো যেতিয়া
বধ কৰা হৈছিল, আৰু তাৰ শৰীৰ ধ্বংস কৰা হৈছিল; তেতিয়া তাক
অগ্নিশিখাত পেলাই দিয়া হৈছিল। ১২ বাকী থকা চাৰিটা জন্তুৰ শাসন
কৰা ক্ষমতা সিহঁতৰ পৰা কাঢ়ি লোৱা হৈছিল; কিন্তু সিহঁতৰ জীৱন
কিছুসময়ৰ বাবে বঢ়াই দিয়া হৈছিল। ১৩ মই সেই দৰ্শনত, আকাশৰ
ডাৱৰৰ সৈতে মানুহৰ পুত্ৰৰ দৰে এজনক অহা দেখিলোঁ; তেওঁ প্ৰাচীন
জনৰ ওচৰলৈ আহিল আৰু তেওঁৰ সন্মুখত উপস্থিত হৈছিল। ১৪ তেওঁক
শাসন ক্ষমতা, মহিমা, আৰু ৰাজকীয় পৰাক্ৰম দিয়া হ'ল; সেয়ে সকলো
দেশৰ লোক, আৰু সকলো ভাষাৰ লোকে তেওঁৰ পৰিচৰ্যা কৰা উচিত।
তেওঁৰ শাসন ক্ষমতা চিৰকাললৈকে থকা ক্ষমতা, সেয়ে কেতিয়াও
লুপ্ত নহব; আৰু তেওঁৰ ৰাজ্য এনেকুৱা যে, সেই ৰাজ্য কেতিয়াও
ধ্বংস নহ'ব। ১৫ মই যি দানিয়েল, মোৰ ভিতৰত মোৰ আত্মাই কষ্ট
পাইছিল, আৰু মোৰ মানসিক দৰ্শনে মোক ব্যাকুল কৰিছিল। ১৬
তাৰ পাছত মই থিয় হৈ থকাসকলৰ মাজৰ এজনৰ ওচৰলৈ গ'লো,
আৰু এই সকলো বিষয়ৰ অৰ্থ দেখুৱাবলৈ তেওঁক কলোঁ। ১৭ এই
প্ৰকাণ্ড জন্তু চাৰিটা হ'ল, পৃথিৱীৰ পৰা আহিব লগা চাৰিজন ৰজা। ১৮
কিন্তু সৰ্ব্বোপৰি ঈশ্বৰৰ পবিত্ৰ লোকসকলে ৰাজ্যভাৰ পাব, আৰু যুগে
যুগে অনন্ত কাললৈকে ৰাজত্ব ভোগ কৰিব। ১৯ তাৰ পাছত মই চতুৰ্থ
জন্তুটোৰ বিষয়ে অধিক জানিবলৈ বিচাৰিলো, ই আন সকলোতকৈ
বেলেগ আছিল। ই লোহাৰ দাঁত আৰু পিতলৰ নখৰ সৈতে অতি
ভয়ানক আছিল, ই ডোখৰ ডোখৰ কৰি খাইছিল আৰু অৱশিষ্টবোৰ
ভৰিৰে গচকিছিল। ২০ তাৰ মুৰত থকা দহোটা শিঙ আৰু তিনিটা শিং
উঘলাৰ পূৰ্বে গজা আনটো শিঙৰ বিষয়ে মই জানিব বিচাৰিছিলোঁ।
চকু থকা, গৰ্বৰ কথা কোৱা মুখ থকা আৰু নিজৰ সঙ্গীসকলকৈ অধিক
গৰ্ব্বী দেখুউৱা শিংটোৰ বিষয়ে মই জানিব বিচাৰিছিলোঁ। ২১ মই চাই
থাকোঁতে দেখিলোঁ যে, প্ৰাচীন কালত তেওঁ থকাৰ দৰে, সৰ্ব্বোপৰি

ঈশ্বৰৰ পবিত্ৰ লোকসকলক ন্যায়বিচাৰ দিয়া, পবিত্ৰ লোকসকলে
ৰাজ্যৰ অধিকাৰী হোৱা সময় আহিল, ২২ সেই শিংটোৱে পবিত্ৰ
লোকসকলৰ লগত যুদ্ধ কৰিলে আৰু তেওঁলোকক পৰাজয় কৰিলে।
২৩ সেই পুৰুষজনে চতুৰ্থ জন্তুটোৰ বিষয়ে কোৱা কথা এয়া, এয়ে
পৃথিৱীৰ চতুৰ্থ ৰাজ্য হ'ব, বাকী সকলো আন ৰাজ্যতকৈ এই ৰাজ্য
পৃথক হ'ব, এই ৰাজ্যই সমগ্ৰ পৃথিৱীক গ্ৰাস কৰিব, ই ভৰিৰে গচকিব,
আৰু ডোখৰ ডোখৰ কৰি ভাঙিব। ২৪ সেই দহটা শিঙৰ অৰ্থ এই, সেই
ৰাজ্যৰ পৰা দহ জন ৰজা উৎপন্ন হ'ব; তেওঁলোকৰ পাছত আন এজন
ৰজা উৎপন্ন হ'ব; তেওঁ আগৰ জনতকৈ পৃথক হ'ব, আৰু তেওঁ তিনিও
জন ৰজাক জয় কৰিব। ২৫ তেওঁ সৰ্ব্বোপৰি জনাৰ বিৰুদ্ধে কথা ক'ব,
আৰু সৰ্ব্বোপৰি ঈশ্বৰৰ পবিত্ৰ জনক তাড়না কৰিব, তেওঁ পৰ্ব আৰু
বিধান সলনি কৰিবলৈ চেষ্টা কৰিব। আৰু এক কাল, দুই কাল আৰু
আধা কালৰ বাবে এই সকলো তেওঁৰ হাতত শোধাই দিয়া হ'ব। ২৬
কিন্তু ন্যায়ালয়ৰ সভা বহিব; আৰু তেওঁলোকে তেওঁৰ পৰা ৰাজকীয়
পৰাক্ৰম কাঢ়ি ল'ব; শেষত গ্ৰাস কৰা হ'ব, আৰু ধ্বংস কৰা হ'ব।
২৭ ৰাজ্য আৰু ৰাজশাসন, আৰু গোটেই আকাশ মণ্ডলৰ তলত থকা
ৰাজ্যবোৰৰ মহিমা, যিসকল লোক সৰ্ব্বোপৰি পবিত্ৰ ঈশ্বৰৰ সেই
লোকসকলক দিয়া হ'ব; তেওঁৰ ৰাজ্য অনন্তকলীয়া ৰাজ্য, আৰু আন
সকলো ৰাজ্যই তেওঁক সেৱা কৰিব, আৰু তেওঁক মানি চলিব। ২৮
এইখিনিতে সেই বিষয় সমাপ্ত হ'ল। দানিয়েল যি মই, মোৰ চিন্তাই
মোক অতিশয় ব্যাকুল কৰিলে, আৰু মোৰ মুখ বিবৰ্ণ হল; কিন্তু মই
মোৰ নিজৰ মনতে সেই বিষয়সমূহ সাঁচি ৰাখিলোঁ।"

৮ বেলচচৰ ৰজাৰ ৰাজত্বৰ তৃতীয় বছৰত, প্ৰথমে পোৱা দৰ্শনৰ
পাছত মই দানিয়েলে আন এটা দৰ্শন দেখিলোঁ। ২ মই সেই দৰ্শনত
দেখিলোঁ যে, মই এলম প্ৰদেশৰ চুচন ৰাজকোঁঠত আছিলোঁ; আৰু সেই
দৰ্শনত দেখিলোঁ যে মই উলয় নদীৰ পাৰত আছিলোঁ। ৩ তেতিয়া মই
চকু তুলি চালোঁ যে, নদীৰ সন্মুখত দুটা শিং থকা এটা মতা মেৰ-
ছাগ থিয় হৈ আছিল; এটা শিং আনটো শিঙতকৈ দীঘল আছিল; কিন্তু
দীঘল শিংটো চুটি শিঙতকৈ অধিক লাহে লাহে বাঢ়িছিল সেয়ে চুটি

শিংটো দীঘল শিঙতকৈ বাঢ়ি উঠিল। ৪ মই দেখিলোঁ সেই মেৰ-ছাগে
পশ্চিম, উত্তৰ, আৰু দক্ষিণ ফাললৈ খুন্দিয়াই আছিল; তাৰ আগত
আন কোনো জন্তু থিয় হ'ব নোৱাৰিলে। তাৰ হাতৰ পৰা উদ্ধাৰ কৰিব
পৰা তেওঁলোকৰ মাজত কোনো নাছিল; তাৰ যি ইচ্ছা গৈছিল তাকে
কৰি অাছিল, আৰু সি পৰাক্ৰমী হৈ উঠিছিল। ৫ এই বিষয়ে চিন্তা
কৰি থাকোতে মই দেখিলোঁ যে, পশ্চিম ফালৰ পৰা এটা মতা ছাগলী
গোটেই পৃথিৱীৰ ওপৰেদি মাটিত ভৰি নিদিয়াকৈ বেগেৰে দৌৰি আহি
আছিল। সেই ছাগলীৰ চকু দুটাৰ মাজত এটা ডাঙৰ শিং আছিল।
৬ দুটা শিং থকা মতা মেৰ-ছাগৰ ওচৰত সেই ছাগলীটো আহিছিল,
আৰু মই মেৰ-ছাগটোক নদীৰ সন্মুখত থিয় হৈ থকা দেখিছিলোঁ।
সেই ছাগলীটোৱে দৌৰি মেৰ-ছাগৰ ওচৰলৈ গৈ, তাৰ প্ৰচণ্ড ক্ৰোধত
তাক আক্ৰমণ কৰিছিল। ৭ মই ছাগলীটোক মেৰ-ছাগটোৰ ওচৰলৈ
অহা দেখিলোঁ। তাৰ মেৰ-ছাগটোৰ ওপৰত অতিশয় খং উঠিছিল,
আৰু সি মেৰ-ছাগক খুন্দা মাৰি তাৰ শিং দুটা ভাঙি দিলে। তাৰ
আগত থিয় হৈ থাকিবলৈ সেই মেৰ-ছাগৰ আৰু শক্তি নাছিল। সেই
ছাগলীটোৱে মেৰ-ছাগটোক মাটিত পেলাই ভৰিৰে গচকিলে, সেই
ঠাইত ছাগলীটোৰ হাতৰ পৰা ভেড়াটোক উদ্ধাৰ কৰিব পৰা কোনো
নাছিল। ৮ তাৰ পাছত সেই ছাগলীটো অতিশয় ডাঙৰ হ'ল; কিন্তু সি
যেতিয়া বলৱান হ'ল তাৰ ডাঙৰ শিংটো ভাগি গ'ল, আৰু তাৰ সলনি
আকাশৰ চাৰিদিশৰ বতাহৰ ফালে চাৰিটা ডাঙৰ শিং গজি উঠিল।
৯ সেইবোৰৰ মাজৰ এটা শিঙৰ পৰা আন এটা শিং গজিল; প্ৰথমে
শিংটো সৰু আছিল, কিন্তু পাছত দক্ষিণ, পূব আৰু ইস্ৰায়েলৰ ঐশ্বৰ্যময়
দেশৰ ফাললৈ অতিশয় বৃদ্ধি পালে। ১০ সি ইমান ডাঙৰ হ'ল যে, স্বৰ্গৰ
বাহিনীসকলৰ সৈতে যুদ্ধ কৰিবলৈ ল'লে। বাহিনীসকলৰ কিছুমানক
আৰু তৰা কিছুমানক মাটিত পেলাই ভৰিৰে গচকিলে। ১১ সি ডাঙৰ
হ'ল এনে কি, সি বাহিনীসকলৰ স্বৰ্গীয় অধিপতিৰ দৰে ডাঙৰ হ'ল। সি
তেওঁৰ পৰা নিত্য বলিদান কাঢ়ি লৈছিল, আৰু তেওঁৰ পবিত্ৰ স্থান দূষিত
কৰিছিল। ১২ দুষ্টতাৰ কাৰণে বাহিনীসকলক তাৰ ওপৰত দিয়া হ'ল,
আৰু হোম বলি বন্ধ কৰা হ'ল। এইদৰে সকলো সত্যতাক ভূ-লুণ্ঠিত

কৰিলে; আৰু যি কৰিলে তাত কৃতকাৰ্য হ'ল। ১৩ তাৰ পাছত মই পবিত্ৰ
জনাক কোৱা শুনিলোঁ; আৰু আন পবিত্ৰ জনক উত্তৰ দিয়া শুনিলোঁ,
"কিমান দিনলৈ এই সকলো থাকিব, এই দৰ্শন হোম বলিৰ বিষয়ে নে,
পাপে সেই ধ্বংস আনিব নে, পবিত্ৰ স্থানৰ ওপৰত হাত দিয়া হ'ব নে,
আৰু স্বৰ্গীয় বাহিনীসকলক গচকা হ'ব নে?" ১৪ তেওঁ মোক ক'লে,
"এই সকলো দুই হাজাৰ তিনিশ সন্ধিয়া আৰু পুৱালৈকে থাকিব; তাৰ
পাছত সেই পবিত্ৰ স্থান শুচি কৰা হ'ব।" ১৫ মই দানিয়েলে যেতিয়া
এই দৰ্শন পাইছিলোঁ, তেতিয়া মই তাক বুজিবলৈ চেষ্টা কৰিছিলোঁ;
আৰু সেই ঠাইত মানুহৰ দৰে এজন লোক মোৰ সন্মুখত থিয় হৈছিল।
১৬ উলয় নদীৰ মাজৰ পৰা মই এজন মানুহৰ মাত শুনিলোঁ; তেওঁ
ক'লে, "হে গাব্ৰিয়েল, সেই মানুহজনক এই দৰ্শন বুজিবলৈ সহায়
কৰা।" ১৭ তাতে মই থিয় হৈ থকা ঠাইৰ ওচৰলৈ তেওঁ আহিল। তেওঁ
যেতিয়া আহিল, মই শঙ্কিত হলোঁ, আৰু মাটিত উবুৰি হৈ পৰিলোঁ।
তেওঁ মোক ক'লে, "হে মানুহৰ সন্তান, বুজি লোৱা, কিয়নো এই দৰ্শন
শেষৰ সময়ৰ বিষয়ে।" ১৮ তেওঁ মোৰ লগত কথা পাতি থাকোঁতে, মই
মাটিত উবুৰি হৈ পৰি ঘোৰ নিদ্ৰা গলোঁ; তেতিয়া তেওঁ মোক স্পৰ্শ
কৰিলে আৰু মোক থিয় কৰালে। ১৯ তেওঁ ক'লে, "চোৱা, ক্ৰোধৰ
শেষ সময়ত যি ঘটিব, তাক মই তোমাক দেখুৱাম; কাৰণ এই দৰ্শন
শেষৰ নিৰূপিত সময়ৰ বাবে। ২০ দুটা শিং থকা যি মেৰ-ছাগ তুমি
দেখিছিলা, সি মাদিয়া আৰু পাৰস্যৰ ৰজা দুজনক বুজাইছে। ২১ আৰু
সেই মতা ছাগলীটো গ্ৰীচৰ ৰজা; আৰু তাৰ চকু দুটাৰ মাজত থকা
ডাঙৰ শিংটো প্ৰথম ৰজা। ২২ আৰু সেয়ে ভাঙি যোৱা শিঙৰ ঠাইত
তাৰ সলনি আন চাৰিটা শিং গজি উঠাৰ অৰ্থ এই, তেওঁৰ দেশৰ পৰা
চাৰিখন ৰাজ্য উৎপন্ন হ'ব, কিন্তু তেওঁৰ পৰাক্ৰমৰ সৈতে নহ'ব। ২৩
সেই ৰাজ্যবোৰৰ শেষৰ সময়ত, পাপীসকলে যেতিয়া সীমা চেৰাব,
তেতিয়া কঠোৰ চেহেৰা থকা, এজন অতি বুদ্ধিয়ক ৰজা উৎপন্ন হ'ব;
২৪ তেওঁ পৰাক্ৰম মহান, কিন্তু নিজৰ পৰাক্ৰমেৰে নহয়। তেওঁৰ কাৰণে
ধ্বংস আহিব, আৰু তেওঁ যি কৰিব তাতে কৃতকাৰ্য হ'ব। তেওঁ পবিত্ৰ
পৰাক্ৰমী লোকসকলক ধ্বংস কৰিব। ২৫ তেওঁৰ শিল্পকৰ্মৰ দ্বাৰাই

তেওঁ নিজৰ হাতেৰে মিছা উন্নতি সিদ্ধ কৰিব, এনে কি, তেওঁ নিজৰ
ৰজাৰো ৰজাৰ বিৰুদ্ধে উঠিব, আৰু তেওঁক ভঙা হ'ব; কিন্তু মানুহৰ
শক্তিৰে নহয়। ২৬ সন্ধিয়া আৰু ৰাতিপুৱা বিষয়ৰ যি দৰ্শনৰ কথা
কোৱা হ'ল, সেয়ে সত্য; কিন্তু এই দৰ্শন চাব মাৰি বন্ধ কৰা আছে;
কিয়নো এয়ে ভৱিষ্যতৰ অনেক দিনবোৰক নিৰ্দেশ কৰা হৈছে।" ২৭
তাৰ পাছত মই দানিয়েলে মূৰ্চ্ছিত হৈ কিছু দিনলৈকে নৰিয়াত পৰি
আছিলোঁ। তাৰ পাছত মই উঠিলোঁ, আৰু ৰজাৰ ব্যৱসায়লৈ গলো;
কিন্তু সেই দৰ্শনৰ বাবে মই হতভম্ব হৈছিলোঁ, আৰু সেই ঠাইত সেই
দৰ্শন বুজি পোৱা কোনো এজনো নাছিল।

**৯** মাদিয়া বংশৰ অহচবেৰোচৰ পুত্ৰ দাৰিয়াবচক কলদীয়া ৰাজ্যৰ
ওপৰত ৰজা পতা হৈছিল। ২ দাৰিয়াবচৰ ৰাজত্ব কালৰ প্ৰথম বছৰত
মই দানিয়েলে, ভাববাদী যিৰিমিয়ালৈ অহা যিহোৱাৰ বাক্য থকা পুথি
পঢ়িছিলো। মই পঢ়ি জানিব পাৰিছিলো যে, ইয়াত সত্তৰ বছৰলৈকে
যিৰূচালেম ত্যাগ কৰা সমাপ্ত কৰা হ'ব। ৩ তেতিয়া মই লঘোন দি, চট
কাপোৰ পিন্ধি, ছাঁইত বহি, অনুৰোধ আৰু প্ৰাৰ্থনাৰে প্ৰভু ঈশ্বৰৰ অনুগ্ৰহ
বিচাৰিবলৈ মই তেওঁলৈ মুখ কৰিলোঁ। ৪ মই মোৰ ঈশ্বৰ যিহোৱাৰ
আগত প্ৰাৰ্থনা কৰিলোঁ, আৰু পাপ স্বীকাৰ কৰি কলোঁ, "হে প্ৰভু আবেদন
কৰোঁ, আপুনি মহান আৰু অসাধাৰণ, আপোনাক ভাল পোৱা আৰু
আপোনাৰ আজ্ঞা পালন কৰা সকললৈ আপুনি বিশ্বাসযোগ্য নিয়ম স্থিৰ
কৰা ঈশ্বৰ, ৫ আমি পাপ কৰিলোঁ, অসৎ কাৰ্য, দুষ্কৰ্ম, আৰু বিদ্ৰোহ
আচৰণ কৰিলোঁ, আৰু তোমাৰ আজ্ঞা আৰু বিধান ত্যাগ কৰিলোঁ; ৬
আপোনাৰ দাস যি ভাববাদীসকলে আমাৰ ৰজা, মুখ্যলোক, পূৰ্বপুৰুষ,
আৰু দেশৰ সকলো লোকক আপোনাৰ নামেৰে কথা কৈছিল, আমি
তেওঁলোকৰ কথা শুনা নাছিলোঁ। ৭ হে প্ৰভু ধৰ্মিকতা আপোনাৰেই;
যিহূদাৰ লোক, যিৰূচালেম নিবাসী, আৰু সকলো ইস্ৰায়েল লোকৰ
আজি মুখ বিবৰ্ণ হৈছে। আপোনাৰ বিৰুদ্ধে কৰা বিশ্বাসঘাতৰ বাবে
আপোনাৰ দ্বাৰাই কৰা সকলো দেশত ছিন্ন-ভিন্ন হোৱা, ওচৰত থকা
আৰু দূৰত থকা সকলো ইস্ৰায়েলী লোকসকলৰ মুখ বিবৰ্ণ হৈছে। ৮ হে
প্ৰভু, আমাৰ ৰজাসকল, মুখ্য লোকসকল, আৰু আমাৰ পূৰ্বপুৰুষসকলৰ

মুখ বিবৰ্ণ হৈছে; কাৰণ আমি আপোনাৰ বিৰুদ্ধে পাপ কৰিলোঁ। ৯
আমি তেওঁৰ বিৰুদ্ধে কৰা বিদ্ৰোহৰ বাবে দয়া আৰু ক্ষমা আমাৰ প্ৰভু
ঈশ্বৰেই আছে; ১০ আমাৰ ঈশ্বৰ যিহোৱাৰ বাক্য আমি শুনা নাই,
আৰু তেওঁৰ দাস ভাববাদীসকলৰ দ্বাৰাই আমাক দিয়া বিধানবোৰো
মানি চলা নাই। ১১ ইস্ৰায়েলী লোকসকলে আপোনাৰ বিধান লঙ্ঘন
কৰিলে, আৰু বিপথগামী হৈ আপোনাৰ কথা মানি চলিবলৈ অমান্তি
হ'ল। ঈশ্বৰৰ দাস মোচিৰ বিধানত লিখা শাও আৰু শপত আমাৰ
ওপৰত অধিক পৰিমাণে ফলিয়ালে; কাৰণ আমি তেওঁৰ বিৰুদ্ধে পাপ
কৰিলোঁ। ১২ যিহোৱাই আমাৰ আৰু আমাৰ শাসকসকলৰ বিৰুদ্ধে
কোৱা কথা সিদ্ধ কৰিলে, আৰু আমাৰ ওপৰত মহা দুৰ্যোগ আনিলে।
কিয়নো যিৰূচালেমলৈ যেনে কৰা হ'ল, গোটেই আকাশ মণ্ডলৰ তলত
থকা কোনো ঠাইলৈ তেনে কৰা হোৱা নাই। ১৩ মোচিৰ বিধানত লিখাৰ
দৰে, সকলো দুৰ্যোগ আমাৰ ওপৰত আহিল, তথাপি আমি নিজৰ
অপৰাধৰ পৰা মন পালটন কৰি আপোনাৰ সত্যতালৈ মনোযোগ
দি, আমাৰ ঈশ্বৰ যিহোৱাৰ পৰা অনুগ্ৰহ পাবলৈ প্ৰাৰ্থনা কৰা নাই।
১৪ সেই কাৰণে যিহোৱাই হাতত ধৰি দুৰ্যোগবোৰ আমাৰ ওপৰলৈ
আনিলে; কাৰণ আমাৰ ঈশ্বৰ যিহোৱাই কৰা সকলো কাৰ্য ধৰ্মময়,
তথাপি আমি তেওঁৰ কথা মানি চলা নাই। ১৫ এতিয়া হে আমাৰ
প্ৰভু ঈশ্বৰ, মিচৰ দেশৰ পৰা নিজৰ লোকসকলক পৰাক্ৰমী হাতেৰে
উলিয়াই আনিলে, আজিলৈকে আপোনাৰ নাম কীৰ্ত্তিমন্ত কৰি ৰাখিলে।
কিন্তু আমি এতিয়াও পাপ, আৰু দুষ্কৰ্ম কৰি আছোঁ। ১৬ হে প্ৰভু,
বিনয় কৰোঁ, আপুনি কৰা সকলো ধাৰ্মিকতাৰ কাৰণে আপোনাৰ নগৰ
যিৰূচালেমৰ পৰা, আপোনাৰ পবিত্ৰ পৰ্ব্বতৰ পৰা আপোনাৰ খং আৰু
ক্ৰোধ আঁতৰাওক। আমাৰ পাপ আৰু আমাৰ পূৰ্বপুৰুষসকলৰ অপৰাধৰ
কাৰণে, যিৰূচালেম আৰু আপোনাৰ লোক, আমাৰ চাৰিওফালে থকা
সকলোৰে বাবে ঘৃণাৰ পাত্ৰ হৈছে। ১৭ এতেকে হে আমাৰ ঈশ্বৰ,
আপোনাৰ এই দাসৰ প্ৰাৰ্থনা আৰু অনুগ্ৰহৰ বাবে কৰা মিনতি শুনক,
আপোনাৰ অভিপ্ৰায়ৰ বাবে, ধ্বংস হোৱা আপোনাৰ পবিত্ৰ স্থানলৈ
আপোনাৰ মুখ উজ্জ্বল কৰক। ১৮ হে মোৰ ঈশ্বৰ, কাণ পাতক;

চকু মেলি আমাক চাওক; আমি উচ্ছন্ন হ'লো, আপোনাৰ নামেৰে
প্ৰখ্যাত নগৰখনলৈ দৃষ্টি কৰক। আমাৰ ধাৰ্মিকতাৰ কাৰণে নহয়,
কিন্তু আপোনাৰ অধিক অনুগ্ৰহৰ কাৰণেহে, আমি আপোনাৰ সহায়
পাবলৈ বিনয় কৰিছোঁ। ১৯ হে প্ৰভু, শুনক! হে প্ৰভু, ক্ষমা কৰক! হে
প্ৰভু মনোযোগ দিয়ক, আৰু কাৰ্য কৰক! হে মোৰ ঈশ্বৰ, আপোনাৰ
অভিপ্ৰায়ৰ বাবে পলম নকৰিব। আপোনাৰ নগৰ আৰু লোকসকলে
আপোনাৰ নামেৰে মাতি আছে।" ২০ এইদৰে যি সময়ত মই কথা
কৈ মোৰ পাপ আৰু মোৰ ইস্ৰায়েলী লোকসকলৰ পাপ স্বীকাৰ কৰি
আছিলোঁ, আৰু ঈশ্বৰৰ পবিত্ৰ পৰ্ব্বতৰ হৈ ঈশ্বৰ যিহোৱাৰ আগত মোৰ
অনুৰোধ কৰি আছিলোঁ, ২১ এনে কি, গধুলীৰ বলিদান উৎসৰ্গ কৰা
সময়ত মই প্ৰাৰ্থনা কৰি আছিলোঁ, সেই সময়ত আগেয়ে দৰ্শনত দেখা
মানুহ যি গাব্ৰিয়েল তেওঁ মোৰ ওচৰলৈ বেগেৰে উড়ি আহিল। ২২ তেওঁ
মোক বিবেচনা শক্তি দিলে, আৰু মোক ক'লে, "হে দানিয়েল, তোমাক
বিবেচনা শক্তি আৰু অন্তৰ্দৃষ্টি দিবলৈ মই আহিলোঁ। ২৩ যেতিয়া তুমি
অনুগ্ৰহৰ বাবে বিনয় কৰিবলৈ আৰম্ভ কৰিছিলা, তেতিয়াই আজ্ঞা
দিয়া হৈছিল, আৰু মই তাক তোমাৰ আগত ক'বলৈ আহিলোঁ, কাৰণ
তুমি অতি প্ৰিয়। সেই কাৰণে কথাটো বিবেচনা কৰা, আৰু দৰ্শনৰ
কথাবোৰ বুজা। ২৪ অধৰ্ম শেষ কৰিবলৈ, পাপৰ অন্ত কৰিবলৈ, পাপৰ
প্ৰায়শ্চিত কৰিবলৈ, চিৰস্থায়ী ধাৰ্মিকতা আনিবলৈ, দৰ্শন আৰু ভাববাণী
ক'বলৈ, আৰু মহাপবিত্ৰ স্থান অভিষেক কৰিবলৈ, তোমাৰ লোক আৰু
তোমাৰ পবিত্ৰ স্থানৰ বাবে সত্তৰ সপ্তাহ নিৰ্ধাৰণ কৰা হৈছে। ২৫ সেয়ে
জানি লোৱা আৰু বুজি লোৱা যে, যিৰূচালেম পুনৰ নিৰ্মাণ কৰাৰ আজ্ঞা
পোৱাৰ পৰা আৰু অভিষেক কৰা শাসনকৰ্ত্তাজন অহালৈকে সাত সপ্তাহ
আৰু বাষষ্ঠি সপ্তাহলৈকে হ'ব। যন্ত্ৰনাৰ সময়ৰ স্বত্তেও গড়েৰে সৈতে
যিৰূচালেমৰ ৰাস্তা পুনৰ নিৰ্মাণ কৰা হ'ব। ২৬ বাষষ্টি সপ্তাহৰ পাছত,
অভিষিক্ত লোকসকলক উচ্ছন্ন কৰা হ'ব, আৰু কোনো নাথাকিব।
আহিব লগা শাসনকৰ্ত্তাৰ সৈন্যই নগৰখন আৰু ধৰ্মধাম ধ্বংস কৰিব।
জলপ্লাৱনৰ দ্বাৰাই সেইজন শেষ হ'ব, আৰু শেষলৈকে সেই ঠাইত যুদ্ধ
হ'ব; আজ্ঞাৰ দ্বাৰাই জনশূন্যতা নিৰূপিত কৰা হৈছে। ২৭ এক সপ্তাহৰ

বাবে সেইজনে অনেকৰ সৈতে এটি নিয়ম সুনিশ্চিত কৰিব। সেই
সপ্তাহৰ মাজৰ দিনত বলিদান আৰু নৈবেদ্য স্থগিত কৰিব। কোনো
এজন ঘিণলগীয়া ডেউকাৰ সৈতে আহিব, আৰু ধ্বংস কৰিব। ধ্বংস
কৰা জনৰ ওপৰত আজ্ঞাৰ দ্বাৰাই সম্পূৰ্ণ সমাপ্ত বৰ্ষোৱা হ'ব।

**১০** পাৰস্যৰ ৰজা কোৰচৰ ৰাজত্ব কালৰ তৃতীয় বছৰত দানিয়েলৰ
আগত এটা বাৰ্ত্তা প্ৰকাশ হৈছিল; আৰু সেই বাৰ্ত্তা সত্য। এইটো আছিল
এটা মহাযুদ্ধৰ বিষয়। দানিয়েলে দৰ্শনৰ দ্বাৰাই অন্তৰ্দৃষ্টিৰে সেই বাৰ্ত্তা
বুজি পালে। ২ সেই দিনবোৰত মই দানিয়েলে তিনি সপ্তাহ শোক
কৰি আছিলোঁ। ৩ সেই তিনি সপ্তাহ সম্পূৰ্ণ নোহোৱালৈকে মই সুস্বাদু
আহাৰ, মাংস খোৱা নাছিলো, দ্ৰাক্ষাৰস পান কৰা নাছিলো, আৰু মই
গাত তেলো ঘঁহা নাছিলো। ৪ তাৰ পাছত প্ৰথম মাহৰ চৌবিশ দিনৰ
দিনা, মই মহানদীৰ পাৰত আছিলোঁ, নদীখনৰ নাম হিদ্দেকেল, ৫
মই ওপৰলৈ চালোঁ, আৰু শণ সূতাৰ বস্ত্ৰ পিন্ধা, আৰু উফজৰ উত্তম
সোণেৰে তৈয়াৰী টঙালি কঁকালত বন্ধা এজন মানুহক দেখিলোঁ। ৬
তেওঁৰ শৰীৰ পোখৰাজ মণিৰ দৰে, তেওঁৰ মুখমণ্ডল উজ্বল, চকু দুটা
জ্বলি থকা মশালৰ দৰে, তেওঁৰ বাহু আৰু ভৰি চকচকিয়া পিতলৰ
দৰে, আৰু তেওঁৰ কোৱা কথাৰ শব্দ বহু লোকৰ কথা কোৱা শব্দৰ
দৰে। ৭ মই দানিয়েল অকলেই সেই দৰ্শন দেখিলোঁ; মোৰ লগত থকা
লোকসকলে সেই দৰ্শন দেখা নাপালে; কাৰণ তেওঁলোক অতিশয়
আতঙ্কিত হ'ল; আৰু নিজকে লুকুৱাবলৈ তেওঁলোক পলাল। ৮ সেয়ে
মই অকলেই অৱশিষ্ট থাকিলো, আৰু সেই মহা দৰ্শন দেখা পালোঁ।
মোৰ গাত একো শক্তি বাকী নাথাকিল; মোৰ প্ৰভাশালী চেহেৰা
ভীতিজনক চেহেৰালৈ সলনি হৈছিল, আৰু মোৰ গাত শক্তি নাইকিয়া
হৈছিল। ৯ তাৰ পাছত মই তেওঁৰ কথা শুনিলোঁ, তেওঁৰ কথাবোৰ
শুনা সময়ত মই মাটিত উবুৰি হৈ পৰি ঘোৰ নিদ্ৰাত আছিলোঁ। ১০
তেতিয়া এখন হাতে মোক চুলে, আৰু মই কঁপি উঠিলো, মোৰ আঁঠু
আৰু দুই হাতৰ তলুৱাও ভয়ত কঁপি উঠিল। ১১ সেই দূতে মোক ক'লে,
"হে দানিয়েল, হে অতি প্ৰিয় পুৰুষ, যি কথা মই তোমাক কৈ আছোঁ
তুমি তাক বুজি লোৱা আৰু উঠি থিয় হোৱা; কাৰণ মোক তোমাৰ

ওচৰলৈ পঠোৱা হ'ল।" যেতিয়া তেওঁ মোক সেই কথা কৈ আছিল,
তেতিয়া মই উঠি থিয় হৈ কঁপিবলৈ ধৰিলোঁ। ১২ তেতিয়া তেওঁ মোক
ক'লে, "হে দানিয়েল ভয় নকৰিবা; কাৰণ তুমি বুজিবলৈ, আৰু নিজকে
ঈশ্বৰৰ আগত নম্ৰ কৰিবলৈ মন স্থিৰ কৰা প্ৰথম দিনৰে পৰা তোমাৰ
বাক্য শুনা গৈছে; আৰু তোমাৰ বাক্যৰ কাৰণেই মই আহিলোঁ ১৩
পাৰস্যৰ ৰক্ষকদূতে মোক প্ৰতিৰোধ কৰিছিল, আৰু মই পাৰস্যৰ
ৰজাৰ সৈতে একৈশ দিনলৈকে আবদ্ধ কৰি ৰখা হৈছিলো। কিন্তু প্ৰধান
ৰক্ষক শসনকৰ্তা এজনে মোক সহায় কৰিবলৈ আহিল। ১৪ এতিয়া
শেষ সময়ত তোমাৰ লোকসকললৈ যি ঘটিব, তাকে তোমাক বুজাবলৈ
মই আহিলোঁ। কিয়নো এই দৰ্শন আহিব লগা দিনবোৰৰ বাবে হয়।"
১৫ যেতিয়া তেওঁ মোক এই কথা কৈ আছিল, তেতিয়া মই মাটিলৈ মুখ
কৰি আছিলোঁ আৰু কথা ক'ব পৰা নাছিলোঁ। ১৬ তেতিয়া মানুহৰ
দৰে এজন পুৰুষে মোৰ ওঁঠ চুলে, আৰু মই মুখ মেলি মোৰ আগত
থিয় হৈ থকা জনক ক'লো, "হে মোৰ মহাশয়, এই দৰ্শনৰ কাৰণে
মোৰ ভিতৰত মৰ্মবেদনাই ধৰিছে, মোৰ গাৰ বল নাইকিয়া হ'ল। ১৭
মই আপোনাৰ দাস কেনেকৈ মই মোৰ গৰাকীৰ লগত কথা পাতিব
পাৰোঁ? কাৰণ মোৰ গাত বল নাই, আৰু মোৰ উশাহো নাইকিয়া হ'ল।"
১৮ তেতিয়া মানুহৰ আকৃতিৰ সেই পুৰুষ জনে পুনৰাই মোক চুই সবল
কৰিলে। ১৯ তেওঁ ক'লে, "হে অতি প্ৰিয় পুৰুষ ভয় নকৰিবা; তোমাৰ
শান্তি হওক; তুমি এতিয়া সবল হোৱা, সবল হোৱা!" যেতিয়া তেওঁ
মোক কথা কৈ আছিল, তেতিয়া মই সবল হ'লো আৰু ক'লোঁ, "মোৰ
প্ৰভুৱে কওক; কাৰণ আপুনি মোক সবল কৰিলে।" ২০ তেতিয়া তেওঁ
মোক ক'লে, "মই তোমাৰ ওচৰলৈ কিয় আহিছোঁ, তুমি জানা নে?
এতিয়া মই পাৰস্যৰ ৰক্ষক দূতবোৰৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ ঘূৰি যাওঁ।
মই যেতিয়া গুচি যাম তেতিয়া গ্ৰীচৰ ৰক্ষকদূত আহিব। ২১ কিন্তু সত্যৰ
পুস্তকত কি লিখা আছে, সেই কথা মই তোমাক জনাম; তেওঁলোকৰ
বিৰুদ্ধে মোক সহায় কৰিবলৈ তোমালোকৰ ৰক্ষক দূতবোৰৰ মাজত
মীখায়েলৰ বাহিৰে আন কোনো শক্তিশালী নাই।"

১১ মাদীয়া দাৰিয়াবচৰ ৰাজত্ব কালৰ প্ৰথম বছৰতে ময়েই
মিখায়েলক সমৰ্থন আৰু ৰক্ষা কৰিবলৈ থিয় হৈছিলোঁ। ২ আৰু এতিয়া
মই তোমাৰ আগত সত্যবিষয় প্ৰকাশ কৰোঁ। পাৰস্য দেশত তিনি জন
ৰজা উৎপন্ন হ'ব; আৰু চতুৰ্থ ৰজা জন আন সকলতকৈ অধিক ধনৱান
হ'ব। তেওঁ নিজৰ ধন-সম্পতিৰ দ্বাৰাই ক্ষমতা অৰ্জন কৰিব, আৰু তেওঁ
সকলোকে গ্ৰীচ ৰাজ্যৰ বিৰুদ্ধে উচটাব। ৩ তাৰ পাছত এজন পৰাক্ৰমী
ৰজা উৎপন্ন হ'ব; তেওঁ অতি বৃহৎ ৰাজ্য শাসন কৰিব, আৰু তেওঁ
নিজৰ ইচ্ছাৰে সকলো কাৰ্য কৰিব। ৪ যেতিয়া তেওঁ উৎপন্ন হ'ব,
তেওঁৰ ৰাজ্য ভগ্ন হ'ব, আৰু আকাশৰ চাৰিও দিশৰ বায়ুলৈ বিভক্ত
হ'ব। তেওঁৰ ৰাজ্য তেওঁৰ বংশধৰসকলক দিয়া নহ'ব; আৰু তেওঁ
শাসন কৰা সময়ত থকা ক্ষমতা আৰু নাথাকিব। কিয়নো তেওঁৰ ৰাজ্য
উৎখাত কৰা হ'ব, আৰু তেওঁৰ বংশধৰক নিদি আন সকলক দিয়া
হ'ব। ৫ দক্ষিণ দেশৰ ৰজা বলৱান হ'ব; কিন্তু তেওঁৰ সেনাপতি সকলৰ
মাজৰ এজন তেওঁতকৈয়ো অধিক বলৱান হৈ এখন ডাঙৰ ৰাজ্য শাসন
কৰিব। ৬ কেইবছৰমানৰ পাছত যেতিয়া নিৰূপিত সময় আহিব,
তেতিয়া তেওঁলোকে মিত্ৰতা কৰিব। চুক্তি সুনিশ্চিত কৰিবলৈ দক্ষিণ
দেশৰ ৰজাৰ জীয়েকক উত্তৰ দেশৰ ৰজালৈ দিয়া হ'ব; কিন্তু জীয়েকে
নিজৰ ক্ষমতা হেৰুৱাব, আৰু তেওঁক পৰিত্যক্ত কৰা হ'ব। তেওঁ আৰু
তেওঁক অনাসকলক, তেওঁৰ পিতৃক, আৰু সেই সময়ত তেওঁক সমৰ্থন
কৰা জনক আপদত পেলোৱা হ'ব। ৭ তথাপি তেওঁৰ শিপাৰ এটি
শাখা তেওঁৰ ঠাইত উৎপন্ন হ'ব; তেওঁ সৈন্যসামন্তক আক্ৰমণ কৰিব,
আৰু উত্তৰ দেশৰ ৰজাৰ দুৰ্গত সোমাব, আৰু তেওঁলোকৰ বিৰুদ্ধে কাৰ্য
কৰি জয়ী হ'ব। ৮ ৰূপ আৰু সোণৰ অতি সুন্দৰ পাত্ৰবোৰে সৈতে
তেওঁলোকে তেওঁলোকৰ প্ৰতিমাবোৰ, আৰু দেৱতাবোৰকো মিচৰলৈ
কাঢ়ি নিব। কেইবছৰমানৰ বাবে উত্তৰ দেশৰ ৰজাক আক্ৰমণ কৰাৰ
পৰা বিৰত থাকিব। ৯ সেই ৰজা দক্ষিণ দেশৰ ৰজাৰ ৰাজ্যত সোমাব,
কিন্তু তেওঁ নিজৰ দেশলৈ ঘূৰি যাব। ১০ তেওঁৰ পুত্ৰসকল যুদ্ধ কৰিব,
আৰু মহা সৈন্য-সামন্ত গোটাব; তেওঁলোকে দেশৰ মাজেৰে জলপ্লাবনৰ
দৰে সোমাব, আৰু তেওঁলোকৰ দুৰ্গৰ সকলো পথত পুনৰ হঠাতে

আক্ৰমণ কৰিব। ১১ দক্ষিণ দেশৰ ৰজা অতিশয় ক্ৰোধান্বিত হৈ উত্তৰ
দেশৰ ৰজাৰ বিৰুদ্ধে যুদ্ধ কৰিব। উত্তৰ দেশৰ ৰজাই মহা সৈন্য-সামন্ত
গোটাব, কিন্তু সেই সৈন্যসামন্তক দক্ষিণ দেশৰ ৰজাৰ হাতত গতাই
দিয়া হ'ব। ১২ যেতিয়া সৈন্য-সামন্ত লৈ অহা হ'ব, তেতিয়া দক্ষিণ
দেশৰ ৰজা অহঙ্কাৰেৰে পৰিপূৰ্ণ হ'ব। তেওঁৰ হাজাৰ হাজাৰ শত্ৰুক
হত্যা কৰা হ'ব, কিন্তু তেওঁ কৃতকাৰ্য নহ'ব। ১৩ উত্তৰ দেশৰ ৰজাই
আন এটা সৈন্যৰ দল গঠন কৰিব; সেয়া আগতকৈয়ো ডাঙৰ হ'ব,
কেইবছৰমানৰ পাছত উত্তৰ দেশৰ ৰজাই বহুতো সা-সঁজুলিৰ সৈতে
ডাঙৰ সৈন্যৰ দল লৈ আহিব। ১৪ সেই সময়ত দক্ষিণ দেশৰ ৰজাৰ
বিৰুদ্ধে অনেক লোক উঠিব। এই দৰ্শনৰ কথা সিদ্ধ হ'বলৈ, তোমাৰ
লোকসকলৰ মাজৰ অতি অত্যাচাৰী লোকসকলে নিজকে নিজে উঠাব;
কিন্তু তেওঁলোক উজুটি খাই পৰিব। ১৫ উত্তৰ দেশৰ ৰজা আহি ঢিপত
এঢলীয়া পথ নিৰ্মাণ কৰিব, আৰু দুৰ্গৰ নগৰ অধিকাৰ কৰিব। দক্ষিণ
দেশৰ সৈন্যসকল থিৰে থাকিব নোৱাৰিব; এনে কি, তেওঁলোকৰ শ্ৰেষ্ঠ
সৈন্যসকলৰো থিৰে থাকিবলৈ শক্তি নহ'ব। ১৬ কিন্তু উত্তৰ দেশৰ
ৰজাই দক্ষিণ দেশৰ ৰজাৰ বিৰুদ্ধে যি ইচ্ছা তাকেই কৰিব, আৰু
কোনেও তেওঁক বাধা দিব নোৱাৰিব। তেওঁ সম্পূৰ্ণ ধ্বংসৰ সৈতে,
এখন সমৃদ্ধিশালী দেশত নিজকে প্ৰতিষ্ঠিত কৰিব। ১৭ উত্তৰ দেশৰ
ৰজাই তেওঁৰ ৰাজ্যৰ সকলো শক্তিৰে সৈতে আহিবলৈ স্থিৰ কৰিব।
দক্ষিণ দেশৰ ৰজাৰ সৈতে তেওঁ এটা চুক্তি কৰিব; আৰু সেই চুক্তি
কাৰ্যকৰী কৰিবৰ অৰ্থে তেওঁ দক্ষিণ দেশ ধ্বংস কৰিবলৈ দক্ষিণ দেশৰ
ৰজালৈ এজনী ছোৱালীক বিয়া দিব; কিন্তু পৰিকল্পনাটো সফল নহ'ব
আৰু তাৰ পৰা তেওঁৰ সহায়ো নহ'ব। ১৮ ইয়াৰ পাছত উত্তৰ দেশৰ
ৰজাই সাগৰৰ পাৰৰ ঠাইবোৰলৈ দৃষ্টি কৰি, তাৰ অনেক ঠাই তেওঁ
অধিকাৰ কৰিব; সেনাপতিয়ে তেওঁৰ অপমান দূৰ কৰিব কিন্তু তেওঁৰ
অপমানৰ কাৰণে সেয়া তেওঁলৈ পুনৰ ঘূৰি আহিব। ১৯ তেতিয়া তেওঁ
নিজৰ দেশৰ দুৰ্গবোৰলৈ মন কৰিব, কিন্তু তেওঁ বিঘিনি পাই পতিত
হ'ব; তেওঁক বিচাৰি পোৱা নাযাব। ২০ তাৰ পাছত ৰাজ্যৰ ঐশ্বৰ্যৰ
বাবে কৰ দিবলৈ জোৰ দিয়া এজনে তেওঁৰ স্থান ল'ব। এই জনো

অলপ দিনৰ ভিতৰতে বিনষ্ট হ'ব, কিন্তু ক্ৰোধত বা যুদ্ধত নহয়। ২১
তেওঁৰ স্থানত আন এজন ঘৃণনীয় ব্যক্তি আহিব; লোকসকলে তেওঁক
ৰাজকীয় সন্মান নিদিব। তেওঁ নিঃশব্দে আহিব আৰু তোষামোদেৰে
ৰাজ্যৰ ওপৰত অধিকাৰ কৰিব। ২২ তেওঁৰ আগত অতিশয় ডাঙৰ
সৈন্যৰ দলো জলপ্লাৱনৰ দৰে উটি যাব। সৈন্য সমূহ আৰু চুক্তিৰে
স্থাপন কৰা অধিপতিসকল ধ্বংস হ'ব। ২৩ তেওঁৰ লগত মিত্ৰতা থিৰ
কৰাৰে পৰা তেওঁ প্ৰতাৰণাৰ কাম কৰিব। কেৱল কম সংখ্যক লোকৰ
সৈতেহে তেওঁ পৰাক্ৰমী হ'ব। ২৪ তেওঁ প্ৰদেশৰ ঐশ্বৰ্যশালী অংশলৈ
সাৱধানবাণী নিদিয়াকৈ সোমাব, আৰু তেওঁৰ পিতৃ, বা পিতৃৰ পিতৃয়ে
যি কৰা নাই, তেনে কাৰ্য কৰিব। তেওঁ লূটদ্ৰব্য, কাঢ়ি লোৱা বস্তু,
আৰু ধন সম্পত্তি তেওঁৰ অনুসৰণকাৰী সকলৰ মাজত বিলাই দিব;
এনে কি, তেওঁ দুৰ্গবোৰৰ সৰ্বনাশ কৰিবলৈ কল্পনা কৰিব; কিন্তু
অলপ সময়ৰ বাবেহে। ২৫ তেওঁ দক্ষিণ দেশৰ ৰজাৰ সৈন্যসকলৰ
বিৰুদ্ধে তেওঁৰ ক্ষমতা আৰু সাহস উত্তেজিত কৰিব। দক্ষিণ দেশৰ
ৰজাই অধিক পৰাক্ৰমী সৈন্য সমূহ লগত লৈ, যুদ্ধ কৰিবলৈ ধৰিব
কিন্তু তিষ্ঠিব নোৱাৰিব; কাৰণ লোকসকলে তেওঁৰ অহিতে নানা
কল্পনা কৰিব। ২৬ আনকি যিসকলে ৰজাৰ মেজৰ পৰা আহাৰ খায়,
তেওঁলোকেও তেওঁক নষ্ট কৰিবলৈ চেষ্টা কৰিব, আৰু তেওঁৰ সৈন্য
সমূহ বানপানীৰ দৰে উটি যাব, আৰু তেওঁলোকৰ অনেকক হত্যা
কৰা হ'ব। ২৭ আৰু এই দুজন ৰজাই ইজনে সিজনৰ বিৰুদ্ধে অন্তৰত
বেয়া ভাব ৰাখিব, তেওঁলোকে একেখন মেজতে বহিব আৰু ইজনে
সিজনক মিছা ক'ব; কিন্তু কোনো উদ্দেশ্যত নহয়। কাৰণ নিৰূপিত
সময়তহে সেই কথা ফলিয়াব। ২৮ তাৰ পাছত অনেক ধন-সম্পত্তি লৈ
উত্তৰ দেশৰ ৰজা নিজৰ দেশলৈ উভটি যাব, কিন্তু তেওঁৰ মন পবিত্ৰ
নিয়মটোৰ বিৰুদ্ধে হ'ব। তেওঁ নিজৰ ইচ্ছা অনুসাৰে কাৰ্য কৰি নিজ
দেশলৈ উভটি যাব। ২৯ নিৰূপিত সময়ত তেওঁ ঘূৰি আহিব আৰু দক্ষিণ
দেশ পুনৰ আক্ৰমণ কৰিব। কিন্তু আগতে যেনেদৰে হৈছিল, তেতিয়া
সেইদৰে নহ'ব। ৩০ কিয়নো কিত্তীমৰ জাহাজবোৰ তেওঁৰ বিৰুদ্ধে
আহিব; আৰু তেওঁ নিৰুৎসাহ হৈ ঘূৰি যাব। পবিত্ৰ নিয়মৰ বিৰুদ্ধে তেওঁ

ক্ৰোধ কৰিব আৰু পবিত্ৰ নিয়ম অমান্য কৰা লোকসকলক অনুগ্ৰহ
দেখুৱাব। ৩১ তেওঁৰ সৈন্যদল উঠিব আৰু পবিত্ৰস্থান আৰু দুৰ্গ অশুচি
কৰিব। তেওঁলোকে প্ৰতিদিনৰ হোম-বলি বন্ধ কৰিব, আৰু তেওঁলোকে
ঘৃণনীয় বস্তু স্থাপন কৰিব যিয়ে ধ্বংসাত্মকৰূপে অপবিত্ৰ কৰিব। ৩২
নিয়ম লঙ্ঘন কৰা সকলক তেওঁ খুচামোদ কৰিব আৰু তেওঁলোকক
ভ্ৰষ্ট কৰিব; কিন্তু নিজৰ ঈশ্বৰক জনা লোকসকল বলৱন্ত হ'ব আৰু
ইয়াৰ বিৰুদ্ধে কাৰ্য কৰিব। ৩৩ মানুহৰ মাজৰ জ্ঞানী লোকসকলে
অনেকক বিবেচনা শক্তি দিব; কিন্তু কিছুদিনৰ বাবে তৰোৱাল, আৰু
অগ্নিশিখাৰে পতিত হ'ব, তেওঁলোকক বন্দীসকলৰ দৰে আটক কৰা
হ'ব, আৰু তেওঁলোকৰ সা-সম্পত্তি লুট কৰা হ'ব। ৩৪ তেওঁলোকে
উজুটি খোৱা সময়ত অলপ সহায় পাব; তেওঁলোকে কি কয় সেই
কথা নুবুজা অনেক লোকে তেওঁলোকৰ লগত যোগদান কৰিব। ৩৫
শেষৰ সময় নহাঁলৈকে পৰীক্ষাসিদ্ধ, পবিত্ৰ, আৰু শুদ্ধ হ'বলৈ জ্ঞানী
লোকসকলৰ কিছুমানে উজুটি খাব; কাৰণ নিৰূপিত সময় এতিয়াও
আহিবলৈ আছে। ৩৬ ৰজাই যি কৰিবলৈ ইচ্ছা কৰে, সেয়াই কৰিব।
তেওঁ সকলো দেৱতাতকৈ নিজকে উন্নত আৰু অতিৰঞ্জিত কৰিব,
আৰু দেৱতাবোৰৰ ঈশ্বৰৰ বিৰুদ্ধে আশ্চৰ্যজনক কথা ক'ব। ক্ৰোধ
সিদ্ধ নোহোৱালৈকে তেওঁ কৃতকাৰ্য হ'ব; কাৰণ বিধানত যি আছে,
সেয়াই সিদ্ধ কৰা হ'ব। ৩৭ তেওঁ নিজৰ পূৰ্বপুৰুষসকলৰ দেৱতাবোৰৰ
বাবে বিবেচনা নকৰিব, কাৰণ মহিলাৰ দ্বাৰাই আকাংক্ষা কৰা দেৱতা,
নাইবা আন কোনো দেৱতাবোৰকো নামানিব। তেওঁ অহঙ্কাৰেৰে কাৰ্য
কৰিব আৰু সকলোতকৈ ওপৰত বুলি দাবী কৰিব। ৩৮ তেওঁলোকৰ
পৰিৱৰ্তে তেওঁ দুৰ্গৰ দেৱতাক সন্মান কৰিব। নিজৰ পূৰ্ব-পুৰুষসকলে
নজনা এজন দেৱতাক তেওঁ সোণ, ৰূপ, বহুমূলীয়া পাথৰ, মূল্যবান
উপহাৰেৰে সন্মান কৰিব। ৩৯ তেওঁ বিজাতীয় দেৱতাৰ সহায়ত
শত্ৰুবোৰৰ অতি দৃঢ় দুৰ্গবোৰ আক্ৰমণ কৰিব। যি সকলে তেওঁক
স্বীকাৰ কৰিব, তেওঁলোকক তেওঁ সন্মান কৰিব। অনেকলোকৰ ওপৰত
তেওঁ তেওঁলোকক শাসনকৰ্ত্তা পাতিব, আৰু ধনৰ বাবে তেওঁ মাটি ভাগ
কৰিব। ৪০ শেষৰ সময়ত দক্ষিণ দেশৰ ৰজাই আক্ৰমণ কৰিব। উত্তৰ

দেশৰ ৰজাই ৰথ, অশ্বাৰোহী, আৰু অনেক জাহাজেৰে সৈতে বা'মাৰলী
বতাহৰ দৰে তেওঁৰ বিৰুদ্ধে আহিব। তেওঁ অনেক দেশ আক্ৰমণ কৰিব,
আৰু বানপানীৰ দৰে তেওঁলোকৰ মাজেদি ওলাই যাব। ৪১ তেওঁ
সমৃদ্ধিশালী দেশলৈ সোমাই আহিব, আৰু অনেক পৰাজিত হ'ব; কিন্তু
ইদোম, মোৱাব, আৰু অম্মোনৰ অনেক প্ৰধান লোকে তেওঁৰ হাতৰ
পৰা ৰক্ষা পাব। ৪২ তেওঁ অনেক দেশৰ ওপৰত তেওঁৰ ক্ষমতা প্ৰয়োগ
কৰিব, আৰু মিচৰ দেশখনেও ৰক্ষা নাপাব। ৪৩ মিচৰ দেশৰ আটাই
বহুমূল্য বস্তুৰ ওপৰত আৰু সোণ ৰূপৰ ভঁৰালৰ ওপৰত তেওঁৰ ক্ষমতা
থাকিব। লুবীয়া আৰু কুচীয়াসকলে তেওঁৰ পৰিচৰ্যা কৰিব। ৪৪ পূব
আৰু উত্তৰৰ পৰা অহা সম্বাদে তেওঁক সজাগ কৰিব; তাতে তেওঁ বিনষ্ট
কৰিবলৈ, আৰু অনেকক নিঃশেষে সংহাৰ কৰিবলৈ মহাক্ৰোধেৰে
ওলাই যাব। ৪৫ সমূদ্ৰ আৰু পবিত্ৰতাৰ সৌন্দৰ্যৰ পাহাৰৰ মাজত তেওঁ
নিজৰ ৰাজপ্ৰসাদৰ তম্বু তৰিব। তেওঁ তেওঁৰ শেষ অৱস্থাত আহিব,
কিন্তু তেওঁক সহায় কৰিবলৈ কোনো নাথাকিব।

**১২** সেই সময়ত তোমাৰ লোকসকলক সুৰক্ষা দান কৰা মহাৰক্ষক-
দূত মীখায়েল থিয় হ'ব। দেশৰ আৰম্ভণি নোহোৱা সময়ৰে পৰা
যেনে সঙ্কট কেতিয়াও হোৱা নাই, তেনে সঙ্কটৰ সময় আহিব। সেই
সময়ত পুস্তক খনত নাম লিখা তোমাৰ আটাই লোকসকলে ৰক্ষা
পাব। ২ পৃথিৱীৰ ধূলিত শুই থকা বহুতো লোকে সাৰ পাব। কিছুমানে
অনন্তকলীয়া জীৱন, কিছুমানে লাজ, আৰু অনন্তকলীয়া ঘৃণাৰ বাবে
সাৰ পাব। ৩ যিসকল জ্ঞানী, তেওঁলোক আকাশৰ দিপ্তীৰ দৰে প্ৰজ্বলিত
হ'ব, আৰু অনেকক ধাৰ্মিকতালৈ ঘূৰাই অনা লোকসকল তৰাবোৰৰ
দৰে চিৰকাল জিলিকি থাকিব। ৪ কিন্তু হে দানিয়েল, তুমি শেষ
কাললৈকে এই বাক্যবোৰ গোপনে ৰাখা আৰু এই পুস্তকত মোহৰ
মাৰা। অনেক লোক ইফালে সিফালে দৌৰিব, আৰু জ্ঞান বৃদ্ধি হ'ব।"
৫ তাৰ পাছত মই দানিয়েলে চালোঁ আৰু আন দুজন পুৰুষক থিয়
হৈ থকা দেখিলোঁ। তেওঁলোকৰ মাজৰ এজনে নদীৰ ইপাৰে আৰু
আনজনে নদীৰ সিপাৰে থিয় হৈ আছিল। ৬ নদীৰ কাষত শণ সূতাৰ
বস্ত্ৰ পিন্ধি থিয় হৈ থকা পুৰুষ জনক তেওঁলোকৰ এজনে ক'লে, "এই

আচৰিত ঘটনাবোৰ সিদ্ধ হ'বলৈ কিমান দিন লাগিব?" ৭ নদীৰ কাষত
শণ সূতাৰ বস্ত্ৰ পিন্ধি থিয় হৈ থকা পুৰুষ জনে নিজৰ সোঁ আৰু বাওঁ
হাত আকাশৰ ফাললৈ দাঙিলে, আৰু অনন্তকাললৈকে জীয়াই থকা
জনৰ নামেৰে শপত খালে, সেয়ে সময়, সময়, আৰু অৰ্দ্ধ সময় হ'ব।
যেতিয়া পবিত্ৰ লোকসকলৰ শক্তি চূৰ্ণবিচূৰ্ণ কৰা শেষ হ'ব, তেতিয়া
এইসকলো সিদ্ধ হ'ব। ৮ মই শুনিলোঁ, কিন্তু বুজিব নোৱাৰিলোঁ; সেয়ে
মই সুধিলোঁ, "হে মোৰ প্ৰভু, এইসকলো বিষয়ৰ পৰিনতি কি হ'ব?" ৯
তাতে তেওঁ ক'লে, "হে দানিয়েল, তুমি নিজৰ পথত যোৱা; কাৰণ শেষ
সময়লৈকে এই বাক্যবোৰ বন্ধ কৰা আৰু মোহৰ মৰা হ'ল। ১০ অনেক
লোকে নিজকে শুদ্ধ, পবিত্ৰ, আৰু পৰীক্ষাসিদ্ধ কৰিব; কিন্তু দুষ্টসকলে
দুষ্কৰ্মই কৰি থাকিব। দুষ্টসকলৰ মাজৰ কোনেও বুজি নাপাব, কিন্তু
জ্ঞানীলোক সকলেহে বুজি পাব। ১১ যেতিয়াৰ পৰা হোম বলিদান
বন্ধ কৰা হৈছিল, আৰু ধ্বংসকাৰী ঘিণলগীয়া বস্তু স্থাপন কৰা হৈছিল,
তেতিয়াৰ পৰা এক হাজাৰ দুশ নব্বই দিন হ'ব। ১২ যিজনে এক
হাজাৰ তিনিশ পয়ত্ৰিশ দিনলৈকে অপেক্ষা কৰিব, তেওঁ আশীৰ্ব্বাদপ্ৰাপ্ত
হ'ব। ১৩ তুমি শেষলৈকে নিজৰ পথত চলি থাকা; আৰু তুমি বিশ্ৰাম
পাবা। শেষৰ দিনত তোমাক নিযুক্ত কৰা স্থানত তুমি থিয় হ'বা।"

# হোসেয়া

১ যিহূদা দেশৰ ৰজা উজ্জিয়া, যোথম, আহজ, আৰু হিষ্কিয়াৰ ৰাজত্বৰ
সময়ত আৰু ইস্ৰায়েলৰ ৰজা যোৱাচৰ পুত্ৰ যাৰবিয়ামৰ ৰাজত্বৰ সময়ত
বেৰীৰ পুত্ৰ হোচেয়াৰ ওচৰলৈ যিহোৱাৰ বাক্য আহিল। ২ হোচেয়াৰ
মাধ্যমেদি প্ৰথমে কথা প্ৰকাশ কৰাৰ সময়ত যিহোৱাই হোচেয়াক
কলে, “তুমি যোৱা আৰু নিজৰ বাবে এগৰাকী বেশ্যা মহিলাক বিবাহ
কৰা। বেশ্যাস্বভাৱৰ ফলত জন্ম পোৱা তাইৰ সন্তান সকলকো গ্ৰহণ
কৰিবা; কিয়নো দেশখনে যিহোৱাৰ পৰা আঁতৰি গৈ অতি ঘৃণনীয়
বেশ্যা কৰ্ম কৰিছে।” ৩ সেইদৰে হোচেয়াই গৈ দিব্লয়িমৰ জীয়েক
গোমৰক বিবাহ কৰিলে; তাৰ পাছত তাই গৰ্ভৱতী হৈ হোচেয়ালৈ এটি
পুত্ৰ প্ৰসৱ কৰিলে। ৪ তেতিয়া যিহোৱাই হোচেয়াক ক’লে, “তুমি সেই
ল’ৰাৰ নাম যিজ্ৰিয়েল ৰাখা; কিয়নো কিছু সময়ৰ ভিতৰত যিজ্ৰিয়েল
নগৰত যেহূৱে কৰা ৰক্তপাতৰ কাৰণে মই যেহূৰ বংশক দণ্ড দিম আৰু
মই ইস্ৰায়েল-বংশৰ ৰাজ্য শেষ কৰি দিম। ৫ সেইদিনা মই যিজ্ৰিয়েলৰ
উপত্যকাত ইস্ৰায়েলৰ ধনু ভাঙিম।” ৬ পাছত গোমৰ পুনৰায় গৰ্ভৱতী
হৈ এজনী ছোৱালী প্ৰসৱ কৰিলে; তেতিয়া যিহোৱাই হোচেয়াক ক’লে,
“তুমি ছোৱালীজনীৰ নাম লো-ৰুহামা ৰাখা; কিয়নো ইস্ৰায়েলৰ লোক
সকলক মই পুনৰায় দয়া নকৰিম, তেওঁলোকক কোনোমতেই ক্ষমা
নকৰিম। ৭ কিন্তু যিহূদাৰ লোকসকলক হলে মই দয়া কৰিম আৰু
তেওঁলোকৰ ঈশ্বৰ যিহোৱাৰ দ্বাৰাই তেওঁলোকক উদ্ধাৰ কৰিম; সেই
উদ্ধাৰ ধনু, তৰোৱাল বা যুদ্ধ অথবা ঘোঁৰা বা অশ্বাৰোহীৰ দ্বাৰা নহ’ব।”
৮ লো-ৰুহামাক পিয়াহ এৰুউৱাৰ পাছত গোমৰ গৰ্ভৱতী হৈ পুনৰায়
এটি পুত্ৰ প্ৰসৱ কৰিলে। ৯ তেতিয়া যিহোৱাই ক’লে, “তুমি তাৰ নাম
লো-অম্মী ৰাখা; কিয়নো তোমালোক মোৰ প্ৰজা নোহোৱা নতুবা
মইও তোমালোকৰ ঈশ্বৰ নহয়।” ১০ তথাপিও ইস্ৰায়েলৰ সন্তান
সকলৰ সংখ্যা সাগৰৰ পাৰৰ বালিৰ নিচিনা জুখিব আৰু গণিব নোৱাৰা
কৰিম; যি ঠাইত তেওঁলোকক কোৱা হৈছিল, “তোমালোক মোৰ লোক
নোহোৱা,” সেই ঠাইত, তেওঁলোকক কোৱা হ’ব, “জীৱন্ত ঈশ্বৰৰ
সন্তান।” ১১ যিহূদা আৰু ইস্ৰায়েলৰ লোকসকল মিলিত হ’ব আৰু

তেওঁলোকৰ ওপৰত এজন নেতা তেওঁলোকে নিযুক্ত কৰিব। তাৰ
পাছত তেওঁলোকে সেই ঠাই অধিকাৰ কৰিব, কাৰণ যিজ্ৰিয়েলৰ সেই
দিন মহৎ হ’ব।
২ তোমালোকৰ ভাইসকলক তোমালোকে অম্মী আৰু ভনীসকলক
ৰুহামা বুলি ক’বা। ২ তোমালোকৰ মাতৃৰ বিৰুদ্ধে তোমালোকে বিবাদ
কৰা, তোমালোকে বিবাদ কৰা; কিয়নো তাই মোৰ ভাৰ্যা নহয়, আৰু
মইও তাইৰ স্বামী নহয়। তাই নিজৰ চকুৰ চাৱনীৰ পৰা পতিতা আৰু
তাইৰ স্তনৰ পৰা নিজ ব্যভিচাৰ দূৰ কৰক। ৩ সেয়ে নহ’লে মই তাইক
নগ্ন কৰিম আৰু তাই জন্ম হোৱাৰ দিনা যেনেকৈ উলঙ্গ আছিল, তাইৰ
অৱস্থা তেনে কৰিম। মই তাইক মৰুভূমিৰ নিচিনা কৰিম; খৰাং মাটিলৈ
পৰিণত কৰিম আৰু তাইক পিয়াহত মৰিবলৈ দিম। ৪ মই তাইৰ
ল’ৰা-ছোৱালীবোৰক দয়া নকৰিম; কাৰণ তেওঁলোক বেশ্যাৰ সন্তান।
৫ তেওঁলোকৰ মাকে বেশ্যাকৰ্ম কৰিলে; যি গৰ্ভাকীয়ে তেওঁলোকক
গৰ্ভধাৰণ কৰিছিল, তাই লাজ লগা কৰ্ম কৰিলে। কাৰণ তাই কৈছিল,
“মই মোৰ প্ৰেমিকসকলৰ পাছত যাম; তেওঁলোকেই মোক খোৱা-বস্তু
আৰু পানী, ঊণ আৰু শণ সূতা, তেল আৰু পানীয় দিয়ে।” ৬ সেই
কাৰণে, মই কাঁইটেৰে তাইৰ পথ বন্ধ কৰিম; মই তাইৰ অহিতে
এখন দেৱাল সাজিম যাতে তাই নিজৰ পথ বিচাৰি পাব নোৱাৰে।
৭ তাই নিজৰ প্ৰেমিকসকলৰ পাছত যাব, কিন্তু তেওঁলোকক লগ
ধৰিব নোৱাৰিব; তাই সিহঁতক বিচাৰিব, কিন্তু নাপাব। তেতিয়া তাই
ক’ব, “মই মোৰ প্ৰথম স্বামীৰ ওচৰলৈকে ঘূৰি যাওঁ, কিয়নো এতিয়াৰ
দিনতকৈ মই আগেয়ে বহুত ভালেৰে আছিলোঁ।” ৮ কিয়নো তাই জনা
নাছিল যে, ময়েই তাইক সেই শস্য, দ্ৰাক্ষাৰস আৰু তেল দিছিলোঁ;
তাইক প্ৰচুৰ পৰিমাণে ৰূপ আৰু সোণ দিছিলোঁ, যিবোৰ তাই বাল
দেৱতাৰ কাৰণে ব্যৱহাৰ কৰিছিল। ৯ সেইবাবে শস্য দোৱাৰ সময়ত
আৰু নতুন দ্ৰাক্ষাৰস তৈয়াৰ হোৱা বতৰত মই তাইৰ শস্য ঘূৰাই
লম। তাইৰ উলঙ্গতা ঢাকিবলৈ ব্যৱহাৰ কৰা মোৰ ঊণ আৰু শণ সূতা
মই কাঢ়ি লম। ১০ মই এতিয়া তাইৰ প্ৰেমিকসকলৰ চকুৰ সন্মুখতে
তাইৰ লজ্জা খুলি নগ্ন কৰিম; মোৰ হাতৰ পৰা তাইক কোনেও উদ্ধাৰ

কৰিব নোৱাৰিব। ১১ মই তাইৰ সকলো আমোদ-প্ৰমোদ বন্ধ কৰিম;
তাইৰ উৎসৱবোৰ, ন-জোন, বিশ্ৰাম-দিন আৰু তাইৰ সকলো বিশেষ
নিৰূপিত উৎসৱবোৰ বন্ধ কৰি দিম। ১২ মই তাইৰ সকলো দ্ৰাক্ষালতা
আৰু ডিমৰু গছবোৰ ধ্বংস কৰিম; তাই সেইবোৰৰ বিষয়ে কৈছিল,
“এইবোৰ বেচ হিচাপে মোৰ প্ৰেমিকসকলে মোক দিছিল।” মই সেই
বাৰীবোৰক অৰণ্যলৈ পৰিণত কৰিম আৰু বনৰীয়া পশুবোৰে তাৰ পৰা
আহাৰ খাব। ১৩ তাই যিমান দিন ধৰি বাল দেৱতাবোৰৰ উদ্দেশ্যে
ধূপ জ্বলাইছিল, নথ আৰু অলঙ্কাৰেৰে সৈতে নিজকে ভূষিত কৰি
প্ৰেমিকসকলৰ পাছত গৈ মোক পাহৰি গৈছিল, সিমান দিনৰ বাবে
মই তাইক শাস্তি দিম। যিহোৱাই এই কথা কৈছে। ১৪ এই হেতুকে
মই এতিয়া তাইক বিমোহিত কৰিম আৰু তাইক মৰুপ্ৰান্তৰলৈ আনি
তাইৰে সৈতে মৰমেৰে কথা পাতিম। ১৫ মই সেই ঠাইতে তাইক
তাইৰ দ্ৰাক্ষাবাৰীবোৰ উভটাই দিম আৰু আখোৰ উপত্যকাক আশাৰ
দুৱাৰস্বৰূপ কৰিম। যৌৱনকালৰ নিচিনাকৈ তাই তাত নিজৰ প্ৰতিক্ৰিয়া
প্ৰকাশ কৰি গীত গাব, যেনেকৈ তাই মিচৰ দেশৰ পৰা ওলাই অহাৰ
সময়ত গীত গাইছিল। ১৬ যিহোৱাই কৈছে, “সেই দিনা তুমি মোক
“মোৰ স্বামী” বুলি মাতিবা আৰু “মোৰ বাল” বুলি পুনৰায় নামাতিবা।
১৭ কিয়নো মই তাইৰ মুখৰ পৰা বাল দেৱতাবোৰৰ নাম দূৰ কৰিম;
তাই পুনৰ সেইবোৰৰ নাম সোঁৱৰণ নকৰিব। ১৮ মই সেইদিনা
তোমাৰ কাৰণে বনৰীয়া জন্তু, আকাশৰ চৰাই, আৰু মাটিত বগাই
ফুৰা প্ৰাণীবোৰেৰে সৈতে এটি নিয়ম স্থাপন কৰিম; সকলোৱে যাতে
নিৰাপদে শুব পাৰে, তাৰ বাবে মই দেশৰ পৰা ধনু, তৰোৱাল, আৰু
যুদ্ধ দূৰ কৰিম। ১৯ মই তোমাক চিৰকালৰ বাবে মোৰ ভাৰ্যা কৰি ল’ম;
ধাৰ্মিকতা, ন্যায় বিচাৰ, গভীৰ প্ৰেম আৰু দয়াৰে মই তোমাক ভাৰ্যা
কৰি ল’ম। ২০ মই বিশ্বস্ততাৰে তোমাক ভাৰ্যা কৰি ল’ম আৰু তেতিয়া
তুমি যিহোৱাক জানিব পাৰিবা। ২১ যিহোৱাই কৈছে, “সেই দিনা মই
উত্তৰ দিম; মই আকাশ-মণ্ডলক উত্তৰ দিম; আকাশ-মণ্ডলে পৃথিবীক
উত্তৰ দিব, ২২ পৃথিবীয়ে শস্য, দ্ৰাক্ষাৰস, আৰু তেলক উত্তৰ দিব,
আৰু সেইবোৰে যিজ্ৰিয়েলক উত্তৰ দিব। ২৩ মই তাইক মোৰ কাৰণে

দেশত ৰোপণ কৰিম। লো-ৰুহামাক মই দয়া কৰিম; লো-অম্মীক মই
ক'ম "তুমি মোৰেই প্ৰজা" আৰু তেওঁ ক'ব "আপুনিয়েই মোৰ ঈশ্বৰ।"

৩ পাছত যিহোৱাই মোক ক'লে, "যেনেদৰে ইস্ৰায়েলীয়াসকল যদিও
আন দেৱতাবোৰৰ ফালে ঘূৰিল আৰু অৰ্ঘ্যত দিয়া কিচমিচৰ পিঠা
খাবলৈ তেওঁলোকে ভাল পায়, তথাপিও যিহোৱাই তেওঁলোকক প্ৰেম
কৰে; সেইদৰে তোমাৰ ভাৰ্যাৰ আন এজন প্ৰেমিক থকাত যদিও তাই
ব্যভিচাৰ কৰিলে, তথাপিও তুমি পুনৰ উঠি যোৱা আৰু তাইক প্ৰেম
কৰা।" ২ সেয়ে মই পোন্ধৰ চেকল ৰূপ আৰু ডেৰ হোম যৱেৰে তাইক
নিজৰ বাবে কিনি ললোঁ। ৩ তাৰ পাছত মই তাইক কলোঁ, "তুমি
অনেক দিন পৰ্যন্ত মোৰ বাবে অপেক্ষা কৰিব লাগিব; তুমি ব্যভিচাৰ
নকৰিবা বা কোনো পুৰুষৰে সৈতে ভালপোৱাৰ সম্পৰ্ক নাৰাখিবা; মইও
তোমাৰ প্ৰতি তেনে ব্যৱহাৰ কৰিম।" ৪ কিয়নো ইস্ৰায়েলীয়াসকল
অনেক দিনলৈকে ৰজা, অধ্যক্ষ, যজ্ঞ, স্তম্ভ, এফোদ আৰু দেৱমূৰ্তিবোৰ
নোহোৱাকৈ থাকিব। ৫ তাৰ পাছত ইস্ৰায়েলীয়াসকলে ঘূৰি আহি
তেওঁলোকৰ ঈশ্বৰ যিহোৱা আৰু তেওঁলোকৰ ৰজা দায়ুদক বিচাৰিব।
শেষকালত তেওঁলোকে ভয়েৰে যিহোৱা আৰু তেওঁৰ উত্তমতালৈ
আহিব।

৪ হে ইস্ৰায়েলীয়াসকল, তোমালোকে যিহোৱাৰ বাক্য শুনা; কিয়নো
দেশৰ বাসিন্দাসকলৰ বিৰুদ্ধে যিহোৱাৰ এক অভিযোগ আছে। সেয়া
হৈছে, দেশখনত বিশ্বস্ততা বা সত্যবাদিতা নাই আৰু ঈশ্বৰ সম্বন্ধে
কোনো জ্ঞান নাই। ২ কেৱল শপত ভাঙা, মিছা কথা কোৱা, নৰ-
বধ কৰা, চুৰ কৰা আৰু ব্যভিচাৰ চলিছে; ৰক্তপাতৰ উপৰি ৰক্তপাত
হৈছে। ৩ এই কাৰণে দেশে শোক কৰিছে, আৰু যি সকলে তাত
বাস কৰে তেওঁলোক দুৰ্বল হৈ গৈছে। বনৰীয়া পশু আৰু আকাশৰ
চৰাইবোৰ, এনেকি সমুদ্ৰৰ মাছবোৰৰ বিনাশ হৈছে। ৪ তথাপিও
কোনো মানুহে বিবাদ নকৰক, কোনেও কাৰো বিৰুদ্ধে অভিযোগ
নকৰক; কিয়নো, হে পুৰোহিতসকল, তোমালোকৰ ওচৰত মোৰ
অভিযোগ আছে। ৫ পুৰোহিতসকল, তোমালোকে দিনত উজুটি খাবা,
ৰাতি তোমালোকৰ সৈতে ভাৱবাদীয়েও উজুটি খাব; মই তোমালোকৰ

মাতৃ ইস্ৰায়েলক বিনষ্ট কৰিম। ৬ জ্ঞানৰ অভাৱত মোৰ লোকসকল
নষ্ট হৈছে। তোমালোকে সেই জ্ঞানক অগ্ৰাহ্য কৰাৰ কাৰণে মইও
তোমালোকক মোৰ পুৰোহিত হিচাবে অগ্ৰাহ্য কৰিলোঁ। তোমালোকৰ
ঈশ্বৰৰ ব্যৱস্থা তোমালোকে পাহৰি গৈছা, সেয়ে মইও তোমালোকৰ
সন্তান সকলক পাহৰি যাম। ৭ পুৰোহিতসকল সংখ্যাত যিমানে
বৃদ্ধি পাইছে, সিমানে তেওঁলোকে মোৰ বিৰুদ্ধে পাপ কৰিছে; মই
তেওঁলোকৰ গৌৰৱ লাজত পৰিবৰ্ত্তন কৰিম। ৮ মোৰ লোকসকলৰ
পাপ কাৰ্যত তেওঁলোকে আহাৰ পায়; লোকসকলৰ দুষ্টতাৰ কাৰণে
তেওঁলোক লোভী হয়। ৯ এই হেতুকে, যেনেকৈ লোকসকল, তেনেকৈ
পুৰোহিতসকলৰো হ'ব; দুয়োকো তেওঁলোকৰ দুষ্ট পথৰ বাবে মই
শাস্তি দিম। মই তেওঁলোকৰ কাৰ্যবোৰৰ বাবে তেওঁলোকক প্ৰতিফল
দিম। ১০ তেওঁলোকে ভোজন কৰিব, কিন্তু তৃপ্ত নহ'ব, বেশ্যাকৰ্ম
কৰিব, কিন্তু সংখ্যা বৃদ্ধি নহ'ব; কিয়নো তেওঁলোকে মূৰ্তিপূজা কৰি
যিহোৱাক ত্যাগ কৰিলে। ১১ ব্যভিচাৰ, দ্ৰাক্ষাৰস আৰু নতুন দ্ৰাক্ষাৰসে
লোকসকলৰ বুদ্ধি নষ্ট কৰিছে। ১২ মোৰ লোকসকলে এডোখৰ
কাঠৰ মূৰ্তিৰ ওচৰত পৰামৰ্শ বিচাৰে, তেওঁলোকৰ লাখুটিডালে
তেওঁলোকক নিৰ্দেশনা দিয়ে, কিয়নো বেশ্যাকৰ্মলৈ নিয়া আত্মাই
তেওঁলোকক বিপথে লৈ গৈছে। তেওঁলোকে বেশ্যাকৰ্ম কৰি নিজৰ
ঈশ্বৰক ত্যাগ কৰিলে। ১৩ তেওঁলোকে পৰ্বতৰ উচ্চ চূড়াবোৰত বলি
উৎসৰ্গ কৰে, পাহাৰবোৰৰ ওপৰত নৈবেদ্য উৎসৰ্গ কৰে, অলোন,
লিবনি, আৰু এলা গছৰ তলত, য'ত আৰামদায়ক ছাঁ আছে, তাত
ধূপ জ্বলায়। সেই কাৰণেই তোমালোকৰ ছোৱালীবোৰ বেশ্যা হয়,
আৰু তোমালোকৰ বোৱাৰীবোৰে ব্যভিচাৰ কৰে। ১৪ তোমালোকৰ
ছোৱালীবোৰে বেশ্যাকৰ্ম কৰিলেও, বা তোমালোকৰ বোৱাৰীবোৰে
ব্যভিচাৰ কৰিলেও মই তেওঁলোকক শাস্তি নিদিম; কিয়নো পুৰুষসকলে
নিজেই বেশ্যাসকলৰ সৈতে নিৰ্জন ঠাইলৈ যায়, আৰু দেৱদাসী
বেশ্যাসকলৰ সৈতে বলি উৎসৰ্গ কৰে; এই বুদ্ধিহীন জাতি ধ্বংস হৈ
যাব। ১৫ হে ইস্ৰায়েল, তুমি যদিও ব্যভিচাৰ কৰিছা, তথাপিও যিহূদা
যেন সেই দোষত দোষী নহয়; তোমালোক গিলগললৈ নাযাবা, বৈৎ-

আবনলৈকে উঠি নাযাবা; “জীৱন্ত যিহোৱাৰ শপত” বুলি শপত নাখাবা।
১৬ ঠৰডিঙীয়া চেঁউৰী গাইৰ নিচিনা ইস্রায়েলীয়াসকল ঠৰডিঙীয়া।
সেয়ে, বহল পথাৰত পোৱালি মেৰ-ছাগ এটাক চৰোৱাৰ দৰে যিহোৱাই
জানো এতিয়া তেওঁলোকক চৰাব পাৰে? ১৭ ইফ্রয়িমে মূর্ত্তিবোৰৰ
সৈতে যোগ দিছে। তেওঁক সেইদৰেই থাকিব দিয়া। ১৮ যেতিয়া
তেওঁলোকৰ সুৰা পান কৰা শেষ হয়, তেতিয়া তেওঁলোকে বেশ্যাকৰ্ম
কৰি থাকে; তেওঁলোকে নিজৰ গৌৰৱতকৈ ব্যভিচাৰী কাৰ্যক অধিক
বেছি ভাল পায়। ১৯ শাস্তিৰ এক বায়ুৱে নিজৰ ডেউকাৰে সেই জাতিক
মেৰিয়াই উৰাই লৈ যাব; তাতে তেওঁলোকে নিজৰ উৎসৰ্গবোৰৰ
কাৰণে লাজ পাব।

৫ হে পুৰোহিতসকল, এই কথা শুনা! হে ইস্রায়েলীয়া-বংশ, মনোযোগ
দিয়া! হে ৰাজবংশৰ লোকসকল, শুনা! কিয়নো তোমালোক সকলোৰে
বিৰুদ্ধে বিচাৰ কৰা হৈছে। কাৰণ তোমালোক মিস্পাত পতা ফান্দস্বৰূপ,
আৰু তাবোৰত মেলি দিয়া এক জালস্বৰূপ হৈছা। ২ বিদ্রোহীসকলে
অনেক লোকক বধ কৰি গভীৰলৈকে খন্দা ৰক্তৰ গাতলৈকে গ’ল,
মই তেওঁলোকৰ সকলোকে শাস্তি দিম। ৩ মই ইফ্রয়িমক জানো;
ইস্রায়েল মোৰ পৰা লুকাই থকা নাই; হে ইফ্রয়িম, তুমি এতিয়া
পতিতাৰ কৰ্ম কৰিছা; ইস্রায়েল অশুচি হ’ল। ৪ তেওঁলোকৰ কাৰ্যবোৰে
তেওঁলোকক ঈশ্বৰলৈ উলটি যাব নিদিয়ে, কিয়নো তেওঁলোকৰ অন্তৰত
ব্যভিচাৰী আত্মা আছে, আৰু তেওঁলোকে যিহোৱাক নাজানে। ৫
ইস্রায়েলৰ অহঙ্কাৰেই তেওঁলোকৰ বিৰুদ্ধে সাক্ষ্য দিয়ে; ইফ্রয়িমে
নিজৰ অপৰাধতে উজুটি খাইছে; তেওঁলোকৰ লগতে যিহূদায়েও
উজুটি খাইছে। ৬ নিজৰ মেৰ-ছাগ আৰু গৰুৰ জাকবোৰক লৈ
তেওঁলোকে যিহোৱাক বিচাৰি যাব, কিন্তু তেওঁলোকে তেওঁক নাপাব;
কাৰণ তেওঁলোকৰ ওচৰৰ পৰা যিহোৱাই নিজক আঁতৰাই নিলে। ৭
তেওঁলোকে যিহোৱাৰ সৈতে বিশ্বাসঘাতকতা কৰিলে, তেওঁলোকে
জাৰজ সন্তানবোৰক জন্ম দিলে। এতিয়া তেওঁলোকৰ পথাৰবোৰৰ
লগতে ন-জোনৰ উৎসৱে তেওঁলোকক গ্ৰাস কৰিব। ৮ তোমালোকে
গিবিয়াত শিঙা বজোৱা, ৰামাত তুৰী বজোৱা। বৈৎ-আবনত যুদ্ধৰ

উচ্চধ্বনি কৰি কোৱা, হে বিন্যামীন, “তোমাৰ পাছ ফালৰ শত্ৰুলৈ
চোৱা!’ ৯ শাস্তি দিয়াৰ দিনা ইফ্ৰয়িম জনশূন্য হৈ পৰিব। যি ঘটনাবোৰ
নিশ্চয়ে ঘটিব, সেই বিষয়ে মই ইস্ৰায়েলৰ ফৈদবোৰৰ মাজত সতৰ্ক
কৰি ঘোষণা কৰিলোঁ। ১০ যি সকলে চাৰিসীমাৰ শিল আঁতৰায়,
যিহূদাৰ নেতাসকল তেওঁলোকৰ নিচিনাই হ’ল। মই তেওঁলোকৰ
ওপৰত পানীৰ ধলৰ নিচিনাকৈ মোৰ ক্ৰোধ ঢালি দিম। ১১ ইফ্ৰয়িমক
নিৰ্যাতিত কৰা হ’ল; বিচাৰত তেওঁক চূৰ্ণ কৰা হ’ল; কাৰণ ইফ্ৰয়িমে
অসাৰ মূৰ্তিবোৰৰ পাছত চলিবলৈ মনস্থ কৰিলে। ১২ সেয়ে মই
ইফ্ৰয়িমলৈ নষ্টকাৰক পোকৰ নিচিনা হ’লো, আৰু যিহূদা-বংশলৈ
ধ্বংস কৰা ক্ষয়কাৰকৰ দৰে হ’লো। ১৩ ইফ্ৰয়িমে নিজৰ অসুস্থতা
দেখা পালে, আৰু যিহূদাই নিজৰ আঘাত দেখা পালে; সেয়ে ইফ্ৰয়িমে
অচুৰীয়াৰ ওচৰলৈ সহায়ৰ বাবে গ’ল; মহাৰাজৰ ওচৰলৈ লোক
পঠাই বাৰ্তা প্ৰেৰণ কৰিলে; কিন্তু মহাৰাজে তোমাক আৰোগ্য কৰিব
নোৱাৰিব; তেওঁ তোমাৰ আঘাত নিৰাময় কৰিব নোৱাৰিব। ১৪ মই
ইফ্ৰয়িমলৈ সিংহৰ নিচিনা হ’ম, যিহূদা-বংশলৈ এটা যুবা সিংহৰ নিচিনা
হ’ম; মই নিজেই তেওঁলোকক ছিন্ন-ভিন্ন কৰিম আৰু আঁতৰ হৈ যাম;
মই তেওঁলোকক দূৰলৈ লৈ যাম, তেওঁলোকক উদ্ধাৰ কৰিবলৈ কোনো
নাথাকিব। ১৫ মই মোৰ নিজৰ ঠাইলৈ ঘূৰি যাম। তেওঁলোকে নিজৰ
দোষ স্বীকাৰ নকৰা পৰ্যন্ত আৰু মোক বিচাৰি নহালৈকে মই সেই ঠাইত
থাকিম। তেওঁলোকৰ সঙ্কটৰ সময়ত তেওঁলোকে মোক বিচাৰিবলৈ
আপ্ৰাণ চেষ্টা কৰিব।”

৬ “আহাঁ, আমি যিহোৱাৰ ওচৰলৈ ঘূৰি যাওঁ; তেঁৱেই আমাক ছিন্ন-
ভিন্ন কৰিলে আৰু তেওঁ আমাক সুস্থও কৰিব; তেঁৱেই আমাক আঘাত
কৰিলে আৰু তেওঁ আমাৰ ঘা পটিৰে বান্ধিও দিব। ২ দুদিনৰ পাছত
তেঁৱেই পুনৰায় আমাক জীৱন দিব; তৃতীয় দিনা তেওঁ আমাক তুলিব,
যাতে আমি তেওঁৰ সন্মুখত জীয়াই থাকিব পাৰোঁ। ৩ আহাঁ, আমি
যিহোৱাক জানোহঁক, তেওঁক জানিবলৈ ওচৰ চাপি যাওহঁক; পুৱাৰ
সূৰ্যোদয়ৰ দৰে তেওঁ নিশ্চয় প্ৰকাশিত হ’ব; বৰষুণৰ দৰে তেওঁ আহিব,
বসন্তকালৰ ভূমি ভিজাই তোলা বৰষুণৰ দৰেই তেওঁ আহিব।” ৪ হে

ইফ্ৰয়িম, মই তোমাক লৈ কি কৰিম? হে যিহূদা, তোমাক লৈয়ে বা কি
কৰিম? কিয়নো তোমালোকৰ বিশ্বস্ততা ৰাতিপুৱাৰ কুঁৱলীৰ নিচিনা;
অতি শীঘ্ৰেই অদৃশ্য হৈ যোৱা ৰাতিপুৱাৰ নিয়ৰৰ নিচিনা। ৫ সেই
কাৰণেই মই ভাববাদীৰ দ্বাৰাই তেওঁলোকক খণ্ড-খণ্ডকৈ কাটিলোঁ,
মোৰ মুখৰ বাক্যৰ দ্বাৰাই তেওঁলোকক বধ কৰিলোঁ; মোৰ বিচাৰৰ
ৰায় তোমালোকৰ ওপৰত বিজুলীৰ নিচিনাকৈ চমকি উঠিছে। ৬
কিয়নো মই বলিদান নিবিচাৰোঁ, বিশ্বাসপূৰ্ণ প্ৰেমহে বিচাৰো; মই
বিচাৰো মানুহে যেন হোম-বলিতকৈ ঈশ্বৰ-বিষয়ক জ্ঞান অধিককৈ
লাভ কৰে। ৭ তেওঁলোকে আদমৰ দৰে মই স্থাপন কৰা নিয়ম অমান্য
কৰিলে; তেওঁলোকে মোৰ প্ৰতি বিশ্বাস-ঘাতকতা কৰিলে। ৮ গিলিয়দ
হৈছে দুষ্ট লোকসকলৰ নগৰ, য'ত তেজময় পদচিহ্ন ভৰি আছে। ৯
ডকাইতবোৰে যেনেকৈ মানুহৰ অপেক্ষাত খাপ দি থাকে, তেনেকৈ
পুৰোহিতসকলেও খাপ দি থাকে; তেওঁলোকে চিখিমলৈ যোৱা বাটত
মানুহক বধ কৰে, এনে কি ভয়ঙ্কৰ অপৰাধমূলক কাৰ্য কৰে। ১০
ইস্ৰায়েলীয়া সকলৰ মাজত মই এক ভয়ানক বিষয় দেখিলোঁ; তাত
ইফ্ৰয়িমে ব্যভিচাৰ কৰিছে আৰু ইস্ৰায়েল অশুচি হ'ল। ১১ হে যিহূদা,
তোমাৰ কাৰণেও ফচল কাটিবৰ সময় স্থিৰ কৰা হৈছে। সেই সময়ত
মই মোৰ লোকসকলক বন্দী অৱস্থাৰ পৰা ঘূৰাই আনি পুনৰায় স্থাপন
কৰিম।

৭ যেতিয়া মই ইস্ৰায়েলক সুস্থ কৰিব বিচাৰো, তেতিয়া ইফ্ৰয়িমৰ
পাপৰ লগতে চমৰিয়াৰ দুষ্টতাৰ কাৰ্যবোৰ প্ৰকাশ পায়; তেওঁলোকে
ছলনা কৰে, ঘৰৰ ভিতৰত চোৰ সোমায় আৰু বাহিৰত ডকাইতবোৰে
লুট-পাট কৰে। ২ কিন্তু তেওঁলোকে নিজৰ মনত বিবেচনা কৰি
নাচায় যে, তেওঁলোকৰ সকলো দুষ্টতা মই মনত ৰাখোঁ। এতিয়া
তেওঁলোকৰ পাপ কাৰ্যবোৰে তেওঁলোকক সম্পূৰ্ণকৈ আগুৰি ৰাখিছে;
মোৰ চকুৰ সন্মুখত সেইবোৰ সকলো সময়তে আছে। ৩ তেওঁলোকে
দুষ্টতাৰে সৈতে তেওঁলোকৰ ৰজাক আৰু মিছা কথাৰে সৈতে প্ৰধান
লোকসকলক আনন্দিত কৰে। ৪ তেওঁলোক সকলোৱেই ব্যভিচাৰী;
তেওঁলোক পিঠা প্ৰস্তুত কৰোঁতাৰ তপত তন্দুৰৰ নিচিনা; পিঠা প্ৰস্তুত

কৰোঁতাজনে আটাগুড়ি খচাৰ পৰা আৰম্ভ কৰি পিঠা ফুলি উঠালৈকে
তন্দুৰৰ জুই লৰচৰ কৰাৰ প্ৰয়োজন নহয়। ৫ আমাৰ ৰজাৰ উৎসৱৰ
দিনা প্ৰধান লোকসকল দ্ৰাক্ষাৰসৰ ৰাগীত অসুস্থ হৈছিল; নিন্দকসকলৰ
সৈতে তেওঁ নিজৰ হাত আগবঢ়াইছিল। ৬ কিয়নো এক তন্দুৰৰ
দৰে প্ৰজ্বলিত হৃদয়েৰে সৈতে, তেওঁলোকে নিজৰ ভিতৰতে ছলনাৰ
পৰিকল্পনা কৰে; ওৰে ৰাতি তেওঁলোকৰ খং ধূমায়িত হৈ থাকে;
ৰাতিপুৱা সেই খং এক জ্বলন্ত অগ্নিশিখাৰ দৰে প্ৰখৰতাৰে জ্বলি উঠে।
৭ তেওঁলোক সকলোৱেই এটা তন্দুৰৰ দৰেই তপত; তেওঁলোকৰ
শাসনকৰ্ত্তাসকলক তেওঁলোকে গ্ৰাস কৰে; তেওঁলোকৰ সকলো ৰজা
পতিত হ'ল; তেওঁলোকৰ কোনেও সহায়ৰ বাবে মোক নামাতে। ৮
ইফ্ৰয়িম অন্যান্য জাতিবোৰৰ লগত মিলি গৈছে; ইফ্ৰয়িম এফালে পুৰি
যোৱা এনে এক পিঠা যাক লুটিয়াই দিয়া হোৱা নাই। ৯ বিদেশীসকলে
তেওঁৰ শক্তি দুৰ্বল কৰিলে, কিন্তু তেওঁ তাক বুজি পোৱা নাই; তেওঁৰ
মূৰৰ চুলিবোৰ ঠায়ে ঠায়ে পকিছে, কিন্তু তেওঁ তাক লক্ষ্য কৰা নাই। ১০
ইস্ৰায়েলৰ অহঙ্কাৰেই তেওঁৰ বিৰুদ্ধে সাক্ষ্য দিছে; এই সকলোবোৰৰ
উপৰিও, তেওঁলোকৰ ঈশ্বৰ যিহোৱাৰ ওচৰলৈ তেওঁলোক উলটি
নাহিল বা তেওঁক নিবিচাৰিলেও। ১১ ইফ্ৰয়িম যেন এটা অজলা কপৌ
হ'ল, একেবাৰে বুদ্ধিহীন; তেওঁলোকে এবাৰ মিচৰক মাতে, পুনৰ
অচুৰীয়াৰ ওচৰলৈ যায়। ১২ কিন্তু তেওঁলোক যেতিয়া যাব, মই
তেতিয়া তেওঁলোকৰ ওপৰত মোৰ জাল পেলাম; আকাশৰ চৰাইবোৰৰ
নিচিনাকৈ মই তেওঁলোকক তললৈ নমাই আনিম; তেওঁলোকৰ মণ্ডলীৰ
ওচৰত যেনেকৈ কোৱা হৈছিল, সেইদৰেই মই তেওঁলোকক শাস্তি
দিম। ১৩ তেওঁলোকৰ সন্তাপ হ'ব! কাৰণ তেওঁলোক মোৰ ওচৰৰ
পৰা বিপথে গ'ল! তেওঁলোকৰ বিনাশ হ'ব! তেওঁলোকে মোৰ বিৰুদ্ধে
বিদ্ৰোহ কৰিলে; মই তেওঁলোকক মুক্ত কৰিবলৈ বিচাৰিলো, কিন্তু
তেওঁলোকে মোৰ বিৰুদ্ধে মিছা কথা ক'লে। ১৪ তেওঁলোকে নিজৰ
বিচনাৰ ওপৰত বিলাপ কৰিলে, কিন্তু অন্তৰৰ পৰা মোৰ ওচৰত
তেওঁলোকে কাতৰোক্তি নকৰিলে। শস্য আৰু নতুন দ্ৰাক্ষাৰস পাবৰ
কাৰণে তেওঁলোক একগোট হয় আৰু মোৰ অহিতে বিদ্ৰোহ কৰে। ১৫

যদিও মই তেওঁলোকক শিক্ষা দিলোঁ আৰু তেওঁলোকৰ বাহু শক্তিশালী
কৰিলোঁ, কিন্তু তেওঁলোকে এতিয়া মোৰেই বিৰুদ্ধে কুকল্পনা কৰিছে।
১৬ তেওঁলোকে ঘূৰিছে, কিন্তু সৰ্ব্বোপৰি ঈশ্বৰ মোলৈ ঘূৰা নাই;
তেওঁলোক এক ত্ৰুটিপূৰ্ণ ধনুৰ নিচিনা হ'ল; তেওঁলোকৰ নেতাসকল
নিজৰ জিভাৰ দাম্ভিকপূৰ্ণ কথাৰ কাৰণে তৰোৱালৰ দ্বাৰাই পতিত
হ'ব। এইদৰে ইস্ৰায়েলীয়াসকল মিচৰ দেশত হাঁহিয়াতৰ পাত্ৰ হ'ব।
৮ তোমাৰ মুখত এটি শিঙা ৰাখা। মোৰ অৰ্থাৎ যিহোৱাৰ গৃহৰ ওপৰত
শত্ৰু এক ঈগল চৰাইৰ নিচিনাকৈ আহিছে; কিয়নো ইস্ৰায়েলবাসীয়ে
মই দিয়া নিয়মটি লঙ্ঘন কৰিলে, আৰু মোৰ ব্যৱস্থাৰ অহিতে বিদ্ৰোহ
কৰিলে। ২ ইস্ৰায়েলে মোৰ ওচৰত কাতৰোক্তি কৰি কৈছে, 'হে
মোৰ ঈশ্বৰ, আমি ইস্ৰায়েলবাসীয়ে আপোনাক জানো।' ৩ কিন্তু যি
উত্তম, ইস্ৰায়েলে তাক অগ্ৰাহ্য কৰিলে; সেয়ে শত্ৰুৱে তেওঁৰ পাছে
পাছে খেদি যাব। ৪ মোৰ নিৰ্দেশ নোলোৱাকৈয়ে ইস্ৰায়েলীয়াসকলে
ৰজাসকলক নিযুক্ত কৰিলে; মই নজনাকৈয়ে তেওঁলোকে নেতাসকলক
মনোনীত কৰিলে। তেওঁলোকে নিজৰ নিজৰ সোণ আৰু ৰূপেৰে
তেওঁলোকৰ বাবে মূৰ্তি তৈয়াৰ কৰি নিজৰেই সৰ্বনাশ কৰিলে। ৫
হে চমৰিয়া, মই তোমাৰ দামুৰিৰ মূৰ্তিক অগ্ৰাহ্য কৰিলোঁ। এই
লোকসকলৰ বিৰুদ্ধে মোৰ ক্ৰোধ প্ৰজ্বলিত হ'ল; নিৰ্দোষী হ'বলৈ
তেওঁলোকৰ পুনৰ কিমান কাল লাগিব? ৬ কিয়নো এই দামুৰিৰ
মূৰ্তি ইস্ৰায়েলৰ লোকসকলেই নিৰ্মাণ কৰিছে; এজন শিল্পকাৰে তাক
নিৰ্মাণ কৰিলে; কিন্তু সেয়া ঈশ্বৰ নহয়; চমৰিয়াৰ সেই দামুৰিৰ মূৰ্তিটো
ডোখৰ ডোখৰকৈ ভঙা হ'ব। ৭ তেওঁলোকে বতাহক ৰোপণ কৰে আৰু
শেষত বা'মৰলীৰ শস্য দাব। শস্যৰ গোচাত কোনো দানা নাথাকে,
তাৰ পৰা কোনো আহাৰ উৎপন্ন নহ'ব। যদি তাত কিছু উৎপন্ন হয়ও,
তেন্তে বিদেশীসকলে তাক গ্ৰাস কৰিব। ৮ ইস্ৰায়েলক গ্ৰাস কৰা
হ'ল; তেওঁলোক এতিয়া বিভিন্ন জাতিবোৰৰ মাজত এক অৱহেলিত
পাত্ৰৰ নিচিনাকৈ আছে। ৯ এটা বনৰীয়া গাধই অকলে ইফালে-
সিফালে ঘূৰি ফুৰাৰ দৰে তেওঁলোক অচূৰলৈকে উঠি গ'ল; ইফ্ৰয়িমে
নিজকে প্ৰতিৰক্ষা কৰিবলৈ প্ৰেমিকসকলক বেচ দি আনিলে। ১০ যদিও

তেওঁলোকে বিভিন্ন জাতিবোৰৰ সৈতে বেচ দি বন্ধুত্ব কৰিলে, তথাপিও
মই এতিয়া তেওঁলোকক বিনাশ কৰিবলৈ একেলগে গোটাম; ৰজা আৰু
নেতাসকলৰ অত্যাচাৰৰ অধীনত তেওঁলোকে যাতনা ভোগ কৰিব। ১১
পাপৰ প্ৰায়শ্চিত্ত কৰিবৰ কাৰণে ইফ্ৰয়িমে অনেক যজ্ঞ-বেদী সাজিলে;
কিন্তু সেইবোৰ পাপ কৰাৰ যজ্ঞ-বেদী হ'ল। ১২ মোৰ ব্যৱস্থাৰ অনেক
কথাও যদি মই লিখোঁ, সেইবোৰ এক বিজতৰীয়া কোনো অদ্ভুত কথা
বুলি গণ্য হ'ব। ১৩ যদিও তেওঁলোকে মোৰ উদ্দেশ্যে পশু বলি দি
তাৰ মাংস খায়, কিন্তু মই, যিহোৱাই তেওঁলোকক গ্ৰহণ নকৰোঁ।
এতিয়া মই তেওঁলোকৰ অপৰাধ সোঁৱৰণ কৰি তেওঁলোকক পাপৰ
প্ৰতিফল দিম; তেওঁলোক মিচৰলৈ উলটি যাব। ১৪ ইস্ৰায়েলে মোক,
তেওঁলোকৰ সৃষ্টিকৰ্ত্তা ঈশ্বৰক পাহৰি গৈ ডাঙৰ ডাঙৰ ৰাজগৃহ নিৰ্মাণ
কৰিলে; যিহূদাই অনেক নগৰ গড়েৰে আবৃত কৰিলে; কিন্তু মই তেওঁৰ
নগৰবোৰৰ ওপৰত জুই বৰ্ষাম; তাতে তেওঁৰ সকলো কোঁঠ জুইয়ে
পুৰি গ্ৰাস কৰিব।

৯ হে ইস্ৰায়েল, অন্যান্য জাতিবোৰৰ দৰে তুমি অতিশয় আনন্দ
নকৰিবা; তুমিতো তোমাৰ ঈশ্বৰৰ পৰা আঁতৰি গৈ বেশ্যাকৰ্ম কৰিছা,
মৰণা মৰা প্ৰত্যেক মজিয়াত তুমি বেশ্যাকৰ্মৰ বেচ পাই আনন্দিত
হৈছা। ২ মৰণা মৰা মজিয়া আৰু দ্ৰাক্ষা পেৰা কুণ্ডই লোকসকলক
খাবলৈ নিদিব; তেওঁলোকে নতুন দ্ৰাক্ষাৰস নাপাব। ৩ তেওঁলোকে
যিহোৱাৰ দেশত বাস নকৰিব; কিন্তু ইফ্ৰয়িম হ'লে মিচৰলৈ উলটি
যাব, আৰু তেওঁলোকে অচূৰীয়াত অশুচি আহাৰ খাব। ৪ তেওঁলোকে
যিহোৱাৰ উদ্দেশ্যে দ্ৰাক্ষাৰসৰ পানীয় নৈবেদ্য ঢালিবলৈ নাপাব;
তেওঁলোকৰ বলিবোৰে তেওঁক সন্তুষ্ট নকৰিব; তেনে বলিদানবোৰ
শোকাৰ্ত লোকসকলৰ আহাৰৰ নিচিনা হ'ব; সেইবোৰ যিসকলে
খাব, তেওঁলোক সকলো অশুচি হ'ব; কিয়নো সেই আহাৰ কেৱল
তেওঁলোকৰ নিজৰ ভোক গুচাবৰ কাৰণেহে হব, কিন্তু যিহোৱাৰ গৃহলৈ
নাহিব। ৫ তেওঁলোকৰ পৰ্ব্বৰ দিনা আৰু যিহোৱাৰ উৎসৱৰ দিনা
তেওঁলোকে কি কৰিব? ৬ তেওঁলোকে যদি অচূৰীয়াত বিনাশৰ পৰা
ৰক্ষাও পায়, কিন্তু মিচৰে তেওঁলোকক পৰলোকলৈ গোটাব আৰু

মেম্ফিচ নগৰে তেওঁলোকক মৈদাম দিব। তেওঁলোকৰ সাঁচতীয়া
মূল্যৱান ৰূপৰ বস্তুবোৰৰ লগতে তেওঁলোকৰ তম্বুবোৰ চোৰাত গছ
আৰু কাঁইটীয়া গছে ঢাকি পেলাব। ৭ ইস্রায়েলীয়াসকলে ইয়াকে
জানিব যে, শাস্তিৰ দিনবোৰ সমাগত, প্ৰায়শ্চিত্তৰ দিন উপস্থিত হৈছে;
তেওঁলোকৰ অনেক অধৰ্ম আৰু অধিক বিদ্বেষৰ কাৰণে তেওঁলোকে
“ভাববাদীক নিৰ্ব্বোধ আৰু ঈশ্বৰৰ আত্মা পোৱা লোকক পগলা বুলি
ভাবে।” ৮ মোৰ ঈশ্বৰৰ সৈতে ভাববাদীজন ইফ্ৰয়িমৰ প্ৰহৰী হ’লেও
তেওঁৰ সকলো পথতে থাকে ব্যাধৰ ফান্দ; ঈশ্বৰৰ গৃহত তেওঁৰ
বিপক্ষে থাকে শত্ৰুতা। ৯ গিবিয়াৰ সময়ত যেনেকৈ আছিল, সেইদৰে
ইস্রায়েলীয়াসকল ভ্ৰষ্টতাৰ মাজত ডুব গ’ল। ঈশ্বৰে তেওঁলোকৰ
অধৰ্মৰ কথা সোঁৱৰণ কৰিব; তেওঁলোকৰ পাপ কাৰ্যৰ প্ৰতিকাৰ
সাধিব। ১০ যিহোৱাই কৈছে, “মৰুভূমিত পোৱা দ্ৰাক্ষাগুটিৰ নিচিনাকৈ
মই ইস্রায়েলক বিচাৰি পালোঁ; প্ৰথম ঋতুৰ প্ৰথমে ফল ধৰা ডিমৰু
গছৰ গুটিৰ নিচিনাকৈয়ে মই তোমালোকৰ পূৰ্বপুৰুষসকলক দেখা
পাইছিলোঁ; কিন্তু তেওঁলোকে বাল-পিয়োৰৰ ওচৰলৈ গৈ সেই লজ্জাপূৰ্ণ
মূৰ্তিটোৰ উদ্দেশে নিজকে দিছিল; তাতে তেওঁলোকৰ প্ৰিয় মূৰ্তিটোৰ
দৰেই তেওঁলোক ঘৃণিত হৈ পৰিল। ১১ ইফ্ৰয়িমৰ বিষয়ে হ’লে, চৰাইৰ
নিচিনাকৈ তেওঁলোকৰ গৌৰৱ দূৰলৈ উড়ি যাব; তেতিয়া সন্তানৰ জন্ম
নহ’ব, কোনো গৰ্ভৱতী নহ’ব আৰু কোনেও গৰ্ভধাৰণো নকৰিব। ১২
যদিওবা কোনোৱে সন্তান সকলক ডাঙৰ-দীঘল কৰে, সেই সন্তান
সকলৰ মৃত্যু ঘটাই মই তেওঁলোকক সন্তানহীন কৰিম; তেওঁলোকৰ
এজনো অৱশিষ্ট নাথাকিব। যেতিয়া মই তেওঁলোকৰ ওচৰৰ পৰা
আঁতৰি যাম, তেওঁলোকৰ অৱশ্যেই সন্তাপ হ’ব। ১৩ এদিন মই
ইফ্ৰয়িমক এক মনোহৰ ঠাইত ৰোপণ কৰা তূৰ যেন দেখিছিলোঁ; কিন্তু
এতিয়া ইফ্ৰয়িমে নিজৰ সন্তান সকলক বাহিৰ কৰি বধকাৰীৰ ওচৰলৈ
তেওঁলোকক লৈ যাব।” ১৪ হে যিহোৱা, তেওঁলোকক দিয়ক; আপুনি
তেওঁলোকক কি দিব? আপুনি তেওঁলোকক গৰ্ভফল নষ্ট হৈ যোৱা গৰ্ভ
আৰু গাখীৰ নথকা শুকান স্তন দিয়ক। ১৫ যিহোৱাই কৈছে, “গিলগলত
তেওঁলোকে নিজৰ সকলো দুষ্টতা আৰম্ভ কৰিছিল; সেই ঠাইতে মই

তেওঁলোকক ঘৃণা কৰিবলৈ ধৰিলো। তেওঁলোকৰ পাপকৰ্মৰ কাৰণে
মই মোৰ লোকসকলৰ মাজৰ পৰা তেওঁলোকক খেদি বাহিৰ কৰি দিম;
মই তেওঁলোকক পুনৰায় প্ৰেম নকৰিম; তেওঁলোকৰ সকলো নেতাই
বিদ্ৰোহী। ১৬ ইফ্ৰয়িমক আহত কৰা হৈছে, তেওঁলোকৰ শিপা শুকাই
গৈছে, তেওঁলোকে কোনো ফল উৎপন্ন নকৰিব; তেওঁলোকৰ সন্তান
জন্ম হ'লেও, মই তেওঁলোকৰ গৰ্ভৰ প্ৰিয় সন্তানবোৰক মাৰি পেলাম।"
১৭ মোৰ ঈশ্বৰে তেওঁলোকক অগ্ৰাহ্য কৰিব, কিয়নো তেওঁলোক তেওঁৰ
আজ্ঞাৰ বাধ্য নহ'ল; তেওঁলোক বিভিন্ন জাতিবোৰৰ মাজত যাযাবৰী
হৈ ঘূৰি ফুৰিব।

১০ ইস্ৰায়েল এক লহপহীয়া দ্ৰাক্ষালতা; তাত প্ৰচুৰ ফল ধৰে। তাৰ
ফল যিমানে বৃদ্ধি পালে, সিমান অধিক বেছি সংখ্যাৰ যজ্ঞবেদী তেওঁ
নিৰ্মাণ কৰিলে। তেওঁৰ দেশৰ যিমানে উন্নতি হ'ল, তেওঁ নিজৰ পবিত্ৰ
স্তম্ভবোৰ সুন্দৰভাৱে সাজিলে। ২ তাৰ লোকসকলৰ অন্তৰ প্ৰৱঞ্চনাপূৰ্ণ;
সেয়ে এতিয়া তেওঁলোকে নিজৰ দোষৰ বোজা বব লাগিব। যিহোৱাই
তেওঁলোকৰ যজ্ঞবেদীবোৰ ভাঙি পেলাব, তেওঁলোকৰ স্তম্ভবোৰ নষ্ট
কৰি দিব। ৩ তেতিয়া তেওঁলোকে অৱশ্যেই ক'ব, "আমি যিহোৱাক
ভয় নকৰাৰ কাৰণে আমাৰ কোনো ৰজা নাই; কিন্তু ৰজা থাকিলেও,
তেওঁ আমাৰ কাৰণে কি কৰিব পাৰিলেহেঁতেন?" ৪ তেওঁলোকে
অনেক অনৰ্থক কথা কয়, নিয়ম স্থাপন কৰাৰ সময়ত মিছা শপত
খায়; সেয়ে পথাৰৰ মাটিত বিহ গছ গজাৰ নিচিনাকৈ বিচাৰ গজি
উঠিছে। ৫ চমৰিয়াত বসবাস কৰা লোকসকলে বৈৎ-আবনৰ দামুৰি-
মূৰ্তিৰ কাৰণে ভয়তে কঁপিছে; সেয়ে তাৰ লোকসকলে শোক কৰিব,
সেইদৰে, সেই মূৰ্তিপূজাত আনন্দিত হোৱা পুৰোহিতসকলেও বিলাপ
কৰিব; কাৰণ সেই মূৰ্তিৰ গৌৰৱ এতিয়া তেওঁলোকৰ ওচৰৰ পৰা দূৰ
কৰা হৈছে। ৬ সেইটো অচূৰীয়ালৈ লৈ যোৱা হ'ব, আৰু মহাৰাজৰ
উপহাৰস্বৰূপে তাক দিয়া হ'ব। ইফ্ৰয়িমে লাজ পাব, ইস্ৰায়েলে কাঠৰ
মূৰ্তিক অনুসৰণ কৰাৰ কাৰণে লজ্জিত হ'ব। ৭ পানীয়ে যেনেকৈ কাঠৰ
সৰু টুকুৰা উটুৱাই লৈ যায়, চমৰিয়াৰ ৰজাৰ বিনাশ তেনেদৰে হ'ব। ৮
বৈৎ-আবনৰ পূজাৰ ওখ ঠাইৰ মঠবোৰ অৰ্থাৎ ইস্ৰায়েলৰ পাপময়

ঠাইবোৰ ধ্বংস হ'ব। কাঁইটীয়া বন আৰু গছবোৰ গজি উঠি সেইবোৰৰ
যজ্ঞবেদীবোৰ ঢাকি পেলাব; তেতিয়া তেওঁলোকে পৰ্ব্বতবোৰক ক'ব,
"আমাক ঢাকি পেলোৱা!" সৰু সৰু পাহাৰবোৰক ক'ব, "আমাৰ ওপৰত
পৰা!" ৯ যিহোৱাই কৈছে, "হে ইস্ৰায়েল, গিবিয়াত থকা দিনৰে পৰা
তুমি পাপ কৰি আহিছা; পাপৰ মাজতেই তোমালোক থাকি গ'লা;
গিবিয়াত যুদ্ধই জানো অধৰ্মচাৰীবোৰক লগ নাপাব? ১০ যেতিয়াই
মোৰ ইচ্ছা হয়, তেতিয়াই মই উচ্ছৃঙ্খল লোকসকলক শাস্তি দিবলৈ
আহিম; তেওঁলোকৰ দুটা পাপৰ কাৰণে তেওঁলোকক শাস্তি দিবলৈ
তেওঁলোকৰ অহিতে বিভিন্ন জাতিবোৰক একত্ৰিত কৰা হব। ১১
ইফ্ৰয়িম এক শিক্ষা পোৱা চেঁউৰী গৰু, যি শস্য মৰণা মাৰিবলৈ ভাল
পায়। মই তাইৰ সুন্দৰ ডিঙিত যুঁৱলি দিম, মই ইফ্ৰয়িমৰ ওপৰত এক
যুঁৱলি দিম; যিহূদাই নাঙল টানিব, যাকোবে নিজৰ কাৰণে মৈ টানিব।"
১২ তোমালোকে নিজৰ কাৰণে ধাৰ্মিকতাৰ কঠীয়া সিচাঁ, প্ৰেমৰ শস্য
দোৱা, পতিত ভূমি চহোৱা; যিহোৱাক বিচাৰিবৰ সময় হৈছে। যেতিয়া
তোমালোকে তেনে কৰিবা, তেতিয়া যিহোৱাই আহি তোমালোকৰ
ওপৰত ধাৰ্মিকতাৰূপ বৃষ্টি বৰষাব। ১৩ কিন্তু তোমালোকে দুষ্টতাৰ ভূমি
চহালা, অন্যায়ৰ শস্য চপালা, ছলনাৰ ফল ভোগ কৰিলা; তোমালোকে
নিজৰ শক্তি আৰু অনেক সৈন্যবোৰৰ ওপৰত ভাৰসা কৰিছা। ১৪
সেই কাৰণে তোমাৰ লোকসকলৰ মাজত যুদ্ধৰ কোলাহল উঠিব,
তোমালোকৰ সকলো দুৰ্গবোৰ বিনষ্ট হ'ব। যেনেকৈ চলমনে যুদ্ধৰ
দিনা বৈৎ-অৰ্বেলক ধ্বংস কৰিছিল। সেই সময়ত ল'ৰা-ছোৱালীবোৰৰ
সৈতে মাকসকলক আছাৰি ছিৰা-ছিৰ কৰা হৈছিল। ১৫ হে বৈৎএল,
তোমালোকলৈকো তেনেদৰে ঘটিব। কাৰণ তোমাৰ দুষ্টতা অতি বেছি।
ৰাতিপুৱা হ'লে ইস্ৰায়েলৰ ৰজাক সম্পূৰ্ণকৈ ধ্বংস কৰা হ'ব।

**১১** ইস্ৰায়েল যেতিয়া শিশু আছিল তেতিয়া মই তেওঁক প্ৰেম
কৰিছিলোঁ, মই মিচৰৰ পৰা মোৰ পুত্ৰক মাতি আনিছিলোঁ। ২ মই
তেওঁলোকক যিমানে মাতিছিলোঁ, সিমানেই তেওঁলোক মোৰ ওচৰৰ
পৰা দূৰলৈ আঁতৰি গ'ল; তেওঁলোকে বাল দেৱতাবোৰৰ উদ্দেশ্যে
বলি উৎসৰ্গ কৰিছিল, আৰু কটা মূৰ্ত্তিবোৰৰ কাৰণে ধূপ জ্বলাইছিল।

৩ তথাপিও ময়েই ইফ্ৰয়িমক খোজ কাঢ়িবলৈ শিকালোঁ। ময়েই
তেওঁক মোৰ কোলাত লৈ ফুৰিলোঁ; কিন্তু তেওঁলোকে নাজানিলে
যে মই তেওঁলোকৰ কাৰণে চিন্তা কৰোঁ। ৪ মই তেওঁলোকক
প্ৰেমজৰী আৰু প্ৰেমৰ বান্ধোনেৰে চলাই আনিলোঁ; মই তেওঁলোকৰ
বাবে কান্ধৰ ওপৰৰ পৰা যুৱলিখন তুলি ধৰা লোকৰ নিচিনা হলোঁ;
পাছত কুজাঁ হৈ তেওঁলোকক আহাৰ খোৱাই প্ৰতিপালন কৰিলোঁ।
৫ যিহেতু ইস্ৰায়েলীয়াসকল মোলৈ উলটি আহিবলৈ অসন্মত হ’ল,
সেয়ে তেওঁলোক মিচৰলৈ উলটি নাযাব। আৰু অচূৰীয়াই তেওঁলোকৰ
ওপৰত শাসন কৰিব। ৬ তেওঁলোকৰ নগৰবোৰৰ ওপৰত যুদ্ধৰ
তৰোৱাল পৰিব; তাতে তেওঁলোকৰ দুৱাৰবোৰৰ ডাংবোৰ নষ্ট হ’ব;
নিজৰ পৰিকল্পনাৰ দ্বাৰাই তেওঁলোক বিনষ্ট হ’ব। ৭ মোৰ লোকসকল
মোৰ পৰা ঘূৰি যাবলৈ স্থিৰ কৰিছে; যদিও তেওঁলোকে মোক অৰ্থাৎ
অতি উৰ্দ্ধত থকা জনাক মাতিলেও, তেওঁ তেওঁলোকক মুঠেই উৰ্দ্ধত
তুলি নলব। ৮ হে ইফ্ৰয়িম, মই তোমাক কেনেকৈ ত্যাগ কৰিম? হে
ইস্ৰায়েল, মই তোমাক কেনেকৈ আনৰ হাতত শোধাই দিম? মই
তোমাক কেনেকৈ অদ্মাৰ নিচিনা কৰিম? মই তোমাৰ অৱস্থা কেনেকৈ
চবোয়ীমৰ নিচিনা কৰিম? মোৰ হৃদয় ব্যাকুল হৈছে; মোৰ সকলো
মমতা জাগি উঠিছে। ৯ মোৰ প্ৰচণ্ড ক্ৰোধ মই তোমালোকৰ বিৰুদ্ধে
প্ৰকাশ নকৰিম; মই ইফ্ৰয়িমক পুনৰ বিনষ্ট নকৰিম; কিয়নো মই ঈশ্বৰ,
মানুহ নহওঁ; মই তোমালোকৰ মাজত থকা পবিত্ৰ জনা; মই ক্ৰোধেৰে
উপস্থিত নহম। ১০ তোমাৰ লোকসকল মোৰ (যিহোৱাৰ) পাছত
চলিব; মই সিংহৰ নিচিনাকৈ গৰ্জ্জন কৰি মাতিম; মই গৰ্জ্জন কৰি
মাতিলে মোৰ সন্তান সকল পশ্চিম ফালৰ পৰা কঁপি কঁপি আহিব। ১১
মিচৰ দেশৰ পৰা চৰাইৰ নিচিনাকৈ, অচূৰীয়াৰ পৰা কপৌৰ নিচিনাকৈ
তেওঁলোক কপিঁ কপিঁ আহিব; মই তেওঁলোকক নিজ নিজ ঘৰত
বাস কৰাম। মই যিহোৱাই এই কথা কৈছো। ১২ যিহোৱাই কৈছে,
“ইফ্ৰয়িমৰ মিছা কথা, ইস্ৰায়েল বংশৰ ছলনাই মোক চাৰিওফালে
বেৰি ৰাখিছে; কিন্তু যিহূদাই এতিয়াও মোৰ অৰ্থাৎ ঈশ্বৰৰ লগত অহা-
যোৱা কৰিছে আৰু মোলৈ অৰ্থাৎ পবিত্ৰ জনালৈ বিশ্বস্ত হৈ আছে।

১২ ইফ্রয়িমে বতাহ খায়; তেওঁ গোটেইদিনটো পূবৰ বতাহৰ পাছত
খেদি যায়; তেওঁ মিছা কথা আৰু অত্যাচাৰ বৃদ্ধি কৰে; তেওঁ অচূৰীয়াৰ
সৈতে সন্ধি কৰে আৰু মিচৰলৈ তেল পঠায়। ২ যিহূদাৰ বিৰুদ্ধে
যিহোৱাৰ এটা গোচৰ আছে; তেওঁ যাকোবক তেওঁৰ আচৰণ অনুসাৰে
দণ্ড দিব আৰু তেওঁৰ কাৰ্য অনুসাৰে প্ৰতিফল দিব। ৩ গৰ্ভৰ ভিতৰত
যাকোবে তেওঁৰ ককায়েকৰ গোৰোহাত ধৰিছিল; বয়সত নিজ শক্তিৰে
তেওঁ ঈশ্বৰৰ লগত যুদ্ধ কৰিছিল। ৪ তেওঁ দূতৰ লগত যুদ্ধ কৰি
জয়ী হৈছিল; তেওঁ দয়া বিচাৰি সেই দূতৰ ওচৰত কান্দিছিল আৰু
মিনতি কৰিছিল; তেওঁ ঈশ্বৰক বৈৎএলত লগ পাইছিল; সেই ঠাইতে
ঈশ্বৰে তেওঁৰ সৈতে কথা পাতিছিল। ৫ তেওঁ যিহোৱা, বাহিনীসকলৰ
ঈশ্বৰ; যিহোৱা তেওঁৰ নাম। ৬ এতিয়া হে যাকোবৰ বংশ, তোমালোক
তোমালোকৰ ঈশ্বৰৰ ওচৰলৈ ঘূৰি আহাঁ। প্ৰেম আৰু ন্যায়বিচাৰ ধৰি
ৰাখা আৰু সদায় তোমালোকৰ ঈশ্বৰৰ অপেক্ষাত থাকা। ৭ যিহোৱাই
কৈছে, “ইফ্রয়িম ব্যৱসায়ী; তেওঁৰ হাতত প্ৰবঞ্চনাৰ পাল্লা আছে;
তেওঁ অত্যাচাৰ কৰিবলৈ ভাল পায়। ৮ ইফ্রয়িমে কয়, ‘নিশ্চয়ে মই
চহকী হলোঁ, নিজৰ কাৰণে মই ধন-সম্পদ গোটালোঁ; মোৰ সকলো
পৰিশ্ৰমত, লোকে মোৰ কোনো দোষ বা পাপ বিচাৰি নাপাব।’ ৯
কিন্তু হে ইফ্রয়িম, ময়েই তোমাৰ ঈশ্বৰ যিহোৱা। মই মিচৰ দেশৰ
পৰাই তোমাৰ লগত আছোঁ। তোমাৰ পৰ্ব্বৰ দিনৰ নিচিনাকৈ মই
পুনৰায় তোমাক তম্বুত বাস কৰাম। ১০ মই ভাববাদীসকলৰ আগত
কথা কলোঁ, অনেক দৰ্শন দিলোঁ; তেওঁলোকৰ যোগেদি দৃষ্টান্তৰে
অনেক কথা ক’লো। ১১ গিলিয়দ অপৰাধেৰে পূৰ্ণ। তাৰ লোকসকল
অপদাৰ্থ। গিলগলত লোকসকলে বলধ উৎসৰ্গ কৰে; তেওঁলোকৰ
যজ্ঞ-বেদীবোৰ পথাৰৰ মাটিত থকা শিলৰ দ’মৰ নিচিনা হ’ব। ১২
যাকোব অৰাম দেশলৈ পলাই গৈছিল; ভাৰ্য্যা পাবৰ কাৰণে ইস্রায়েলে
মজুৰিৰ কাৰ্যৰ লগতে মেৰ-ছাগ চৰোৱাৰ কাৰ্য কৰিছিল। ১৩ যিহোৱাই
এজন ভাববাদীৰ দ্বাৰাই মিচৰ দেশৰ পৰা ইস্রায়েলক আনিছিল;
এজন ভাৱবাদীৰ দ্বাৰাই তেওঁ প্ৰতিপালিত হৈছিল। ১৪ কিন্তু ইফ্রয়িমে
যিহোৱাক অতিশয় বেজাৰ দিলে; সেয়ে তেওঁৰ প্ৰভুৱে তেওঁ কৰা

ৰক্তপাতৰ দোষৰ কাৰণে তেওঁকেই দোষী কৰিব; তেওঁ যি অপমানৰ
কাৰ্য কৰিছে, সেই অপমান প্ৰভুৱে তেওঁকে ঘূৰাই দিব।

১৩ ইফ্ৰয়িমে কথা ক'লে, লোকসকল কঁপে; ইস্ৰায়েলৰ ফৈদ সমূহৰ
মাজত তেওঁ মহান হৈছিল। কিন্তু বাল দেৱতাৰ সেৱা উপসনা কৰাৰ
দোষত দোষী হৈ তেওঁ মৰিল। ২ এতিয়া তেওঁলোকে অধিককৈ পাপ
কৰি আছে; তেওঁলোকে তেওঁলোকৰ ৰূপেৰে নিজৰ কাৰণে সাঁচত ঢলা
মূৰ্তি, অৰ্থাৎ নিজৰ কলা-কৌশলেৰে প্ৰতিমা সাজিলে; এই সকলোবোৰ
শিল্পকাৰৰ কাৰ্য; এই মূৰ্তিবোৰৰ সম্বন্ধে তেওঁলোকে কয়, “যি সকলে
উৎসৰ্গ কৰে, তেওঁলোকে দামুৰিৰ মূৰ্তিবোৰক চুমা খাওঁক”। ৩ সেই
বাবে তেওঁলোক প্ৰভাতৰ কুঁৱলীৰ নিচিনা হ'ব, সোনকালে অদৃশ্য
হৈ যোৱা নিয়ৰৰ নিচিনা, মৰণা মৰা মজিয়াৰ পৰা বা'মৰলী বতাহে
উৰুৱাই নিয়া তুঁহৰ নিচিনা, খিড়িকিয়েদি বাহিৰলৈ ওলোৱা ধুঁৱাৰ
নিচিনা হ'ব। ৪ তথাপি মিচৰ দেশৰ পৰা বাহিৰ কৰি অনা দিনৰে
পৰা ময়েই তোমালোকৰ ঈশ্বৰ যিহোৱা; মোৰ বাহিৰে তোমালোকৰ
আন কোনো ঈশ্বৰ নাই; মোৰ বাহিৰে তোমালোকৰ আন কোনো
উদ্ধাৰকৰ্ত্তা নাই। ৫ মৰুভূমিত, শুকান দেশত ময়েই তোমালোকক
দেখা-শুনা কৰিছিলোঁ। ৬ যেতিয়া তোমালোকে চৰণী পালা, তেতিয়া
তোমালোক তৃপ্ত হলা, তোমালোক তৃপ্ত হোৱাত, তোমালোকৰ মনত
গৰ্ব হল, এই নিমিত্তে তমালোকে মোক পাহৰিলা। ৭ সেই কাৰণে মই
তেওঁলোকৰ ওপৰত সিংহৰ দৰেই হ'ম; নাহৰফুটুকী বাঘৰ নিচিনাকৈ
বাটত খাপ দি থাকিম। ৮ পোৱালি কাঢ়ি চুৰ কৰি নিয়া ভালুকীৰ দৰে
মই তেওঁলোকৰ ওপৰত আক্ৰমণ কৰি তেওঁলোকৰ হিয়া চিৰা-ছিৰ
কৰিম; সিংহিনীৰ নিচিনাকৈ মই তেওঁলোকক সেই ঠাইতে গ্ৰাস কৰিম;
বনৰীয়া জন্তুৰ দৰে তেওঁলোকক ছিন্ন ভিন্ন কৰিম। ৯ হে ইস্ৰায়েল, তুমি
মোৰ বিপক্ষে অৰ্থাৎ তোমালোকৰ সহায়কাৰীৰ বিপক্ষে থকাৰ কাৰণে
মই তোমাক বিনাশ কৰিম, ১০ এতিয়া তোমাৰ ৰজা ক'ত আছে, যি
জনে সকলো নগৰতে তোমাক ৰক্ষা কৰিব পাৰিব? এতিয়া তোমাৰ
শাসনকৰ্তাসকল ক'ত আছে, যি সকলৰ বিষয়ে তুমি মোক কৈছিলা,
“মোক এজন ৰজা আৰু শাসনকৰ্তাসকলক দিয়া?” ১১ সেয়ে মই খং

উঠি তোমাক এজন ৰজা দিছিলোঁ আৰু মোৰ ক্ৰোধে তেওঁক আঁতৰাই
নিলে। ১২ ইফ্ৰয়িমৰ অপৰাধ বান্ধি থোৱা হ’ল; তেওঁৰ পাপবোৰ
সাঁচি থোৱা হ’ল। ১৩ নাৰীৰ প্ৰসৱবেদনাৰ দৰে তেওঁৰ ওপৰলৈ কষ্ট
আহিব। কিন্তু তেওঁতো এজন অজ্ঞান পুত্ৰ; জন্মৰ সঠিক সময়ত তেওঁ
গৰ্ভৰ প্ৰসৱ-দুৱাৰৰ মুখলৈ নাহা। ১৪ চিয়োলৰ শক্তিৰ পৰা মই তেওঁক
উদ্ধাৰ কৰিম নে? মৃত্যুৰ পৰা মই তেওঁক মুক্ত কৰিম নে? হে মৃত্যু,
তোমাৰ মহামাৰীবোৰ ক’ত? হে চিয়োল, তোমাৰ সংহাৰ ক’ত?
মোৰ চকুৰ পৰা মমতা লুকাই আছে। (Sheol h7585) ১৫ ইফ্ৰয়িমে
তেওঁৰ ভাইসকলৰ মাজত সফলতা লাভ কৰিলেও, যিহোৱাৰ পৰা
এক প্ৰবল পূবৰ বতাহ আহিব, মৰুভূমিৰ পৰা বৈ আহিব; ইফ্ৰয়িমৰ
জুৰিবোৰ শুকাই যাব আৰু কুৱাঁত পানী নোহোৱা হ’ব; শত্ৰুৱে তেওঁৰ
ভঁৰালৰ সকলো মূল্যৱান বস্তু লুট কৰি নিব। ১৬ চমৰিয়া দোষী হ’ব;
কাৰণ তেওঁ ঈশ্বৰৰ বিৰুদ্ধে বিদ্ৰোহ কৰিলে; তেওঁলোক তৰোৱালৰ
দ্বাৰাই মৰিব, তেওঁলোকৰ শিশুসকলক আচাৰি ছিন্ন-ভিন্ন কৰা হ’ব,
তেওঁলোকৰ গৰ্ভৱতী নাৰীসকলৰ উদৰ ফালি পেলোৱা হ’ব।

**১৪** হে ইস্ৰায়েল, তোমালোকৰ ঈশ্বৰ যিহোৱালৈ উলটি আহাঁ,
তোমালোকৰ অপৰাধৰ কাৰণে তোমালোক পতিত থ’লো। ২ মন
পালটনৰ বাক্য লগত লোৱা আৰু যিহোৱালৈ ঘূৰি তেওঁক কোৱা,
“আমাৰ সকলো পাপ-অপৰাধ দূৰ কৰক আৰু আমাৰ যি উত্তম,
তাক গ্ৰহণ কৰক; যাতে আমি আমাৰ ওঁঠেৰে আপোনাৰ প্ৰশংসা
কৰিব পাৰোঁ। ৩ অচূৰীয়াই আমাক উদ্ধাৰ কৰিব নোৱাৰিব; ঘোঁৰাৰ
ওপৰত ভাৰসা কৰি আমি যুদ্ধ নকৰিম। আমাৰ হাতেৰে নিৰ্মাণ কৰা
মূৰ্তিক আমি পুনৰ ‘তুমি আমাৰ ঈশ্বৰ’ বুলি কেতিয়াও নকম; কিয়নো
আপোনাৰ ওচৰতে অনাথজনে দয়া বিচাৰি পায়।” ৪ যিহোৱাই কৈছে,
“তেওঁলোকক বিপথে যোৱাৰ পৰা মই ঘূৰাই আনি সুস্থ কৰিম, মই
বিনা চৰ্তেই তেওঁলোকক প্ৰেম কৰিম; কিয়নো মোৰ ক্ৰোধ তেওঁলোকৰ
ওপৰৰ পৰা আঁতৰি গ’ল। ৫ মই ইস্ৰায়েললৈ নিয়ৰৰ নিচিনা হ’ম; তেওঁ
লিলি ফুলৰ নিচিনাকৈ ফুলিব, লিবানোনৰ এৰচ গছৰ নিচিনাকৈ তেওঁৰ
শিপা নামি যাব। ৬ তেওঁৰ ডালবোৰ বিস্তাৰিত হৈ বাঢ়ি যাব; জিত

গছৰ নিচিনা তেওঁৰ সৌন্দৰ্য হ'ব; তেওঁৰ সুগন্ধ লিবানোনৰ এৰচ গছৰ
নিচিনা হ'ব। ৭ তেওঁলোকে পুনৰায় মোৰ ছাঁত বাস কৰিবলৈ আহিব;
তেওঁলোক প্ৰচুৰ শস্যৰে পুনৰ্জীৱিত হ'ব, আৰু দ্ৰাক্ষালতাৰ নিচিনাকৈ
ফুলিব; লিবানোনৰ দ্ৰাক্ষাৰসৰ নিচিনাকৈ তেওঁলোকৰ সুখ্যাতি হ'ব।
৮ ইফ্ৰয়িমে ক'ব, 'মূৰ্তিবোৰৰ লগত মোৰ পুনৰ কি সম্পৰ্ক?' মইয়ে
তোমাক উত্তৰ দিম আৰু তেওঁৰ যত্ন ল'ম। মই এক কেঁচাপতীয়া
দেৱদাৰু গছৰ নিচিনা; তোমাৰ বিশ্বস্ততাৰ ফল মোৰ কাষৰ পৰাই
আহে।" ৯ জ্ঞানৱানজনে এইবোৰ কথা বুজে; বিবেচকজনে এইবোৰ
কথা জানে; কিয়নো যিহোৱাৰ পথবোৰ সততাৰ পথ আৰু ধাৰ্মিকজনে
সেই পথত গমন কৰে, কিন্তু অধাৰ্মিকজনে হ'লে সেইবোৰত উজুটি
খায়।

# যোৱেল

১ পথূৱেলৰ পুত্ৰ যোৱেললৈ অহা এইটো যিহোৱাৰ বাক্য। ২ হে
পৰিচাৰকসকল, এই কথা শুনা? আৰু হে দেশনিবাসীসকল, কাণ
দিয়া। তোমালোকৰ দিনত বা তোমালোকৰ পূৰ্বপুৰুষসকলৰ দিনত
এনে ঘটিছিল নে? ৩ তোমালোকে নিজ নিজ সন্তান সকলক এই
বিষয়ে কোৱা, আৰু তেওঁলোকেও নিজ নিজ সন্তান সকলক কওঁক,
আৰু তেওঁলোকৰ সন্তান সকলেও তেওঁলোকৰ ভাবী সন্তান সকলক
কওঁক। ৪ কুটি খোৱা ফৰিঙে এৰাখিনি কাকতী ফৰিঙে খালে; আৰু
কাকতী ফৰিঙে এৰাখিনি চেলেকা ফৰিঙে খালে; আৰু চেলেকা ফৰিঙে
এৰাখিনি বিনাশকাৰী ফৰিঙে খালে। ৫ হে মতলীয়াসকল, সাৰ পোৱা
আৰু কান্দা! বিলাপ কৰা, হে দ্ৰাক্ষাৰস পান কৰোঁতাসকল, কাৰণ নতুন
দ্ৰাক্ষাৰস তোমালোকৰ মুখৰ পৰা সম্পূৰ্ণৰূপে আতৰাই দিয়া হ'ল। ৬
কিয়নো এটা জাতি মোৰ দেশৰ বিৰুদ্ধে উঠি আহিল, অসংখ্য প্ৰাণী থকা
এক বলবান জাতি। সিহঁতৰ দাঁত সিংহৰ দাঁতৰ নিচিনা, আৰু সিংহীৰ
গুৰি দাঁতৰ নিচিনা সিহঁতৰ গুৰি দাঁত। ৭ সিহঁতে মোৰ দ্ৰাক্ষালতা
ধ্বংস কৰিলে, আৰু মোৰ ডিমৰু গছৰ বাকলি এৰুৱালে। সিহঁতে তাক
নিচেইকৈ বখলিয়ালে আৰু পেলাই দিলে; তাৰ ডালবোৰ বগা কৰিলে।
৮ যৌৱন কালৰ স্বামীৰ শোকত চট কাপোৰেৰে কঁকাল বন্ধা কন্যাৰ
নিচিনাকৈ তুমি বিলাপ কৰা। ৯ যিহোৱাৰ গৃহৰ পৰা ভক্ষ্য আৰু পেয়
নৈবেদ্য বন্ধ কৰা হ'ল। যিহোৱাৰ দাসবোৰ, পুৰোহিতসকলে শোক
কৰিছে। ১০ পথাৰবোৰ নষ্ট হ'ল, ভূমিয়ে শোক কৰিছে। কিয়নো শস্য
নষ্ট কৰা হ'ল, নতুন দ্ৰাক্ষাৰস শুকাল, আৰু তেল নাইকিয়া হ'ল। ১১ হে
খেতিয়কসকল, লজ্জিত হোৱা, হে দ্ৰাক্ষাবাৰী আপডাল কৰোঁতাসকল,
ঘেঁহু ধান আৰু যৱৰ বাবে বাবে বিলাপ কৰা। কিয়নো পথাৰৰ শস্য
বিনষ্ট হ'ল। ১২ দ্ৰাক্ষালতা শুকাল, ডিমৰু গছ জঁয় পৰিল, ডালিম,
খাজুৰ আৰু আপেলৰ গছবোৰ - পথাৰৰ সকলো গছ শুকাল। সঁচাকৈ
মনুষ্য সন্তান সকলৰ মাজৰ পৰা আমোদ প্ৰমোদ নাইকিয়া হ'ল। ১৩
হে পুৰোহিতসকল, তোমালোকে চট কাপোৰ পৰিধান কৰি বিলাপ
কৰা! হে যজ্ঞ-বেদিৰ পৰিচাৰকসকল, বিলাপ কৰা। হে মোৰ ঈশ্বৰৰ

দাসবোৰ, আহাঁ, চট কাপোৰ পিন্ধি ওৰে ৰাতি পৰি থাকা। কিয়নো তোমালোকৰ ঈশ্বৰৰ গৃহৰ পৰা ভক্ষ্য আৰু পেয় নৈবেদ্য প্ৰতিৰোধ কৰা হৈছে। ১৪ তোমালোকে পবিত্ৰ উপবাস নিৰূপণ কৰা, সমাজ গোট খাবলৈ ঘোষণা কৰা। পৰিচাৰকসকল আদি কৰি দেশনিবাসী আটাই লোকক গোট খুউৱাই তোমালোকৰ ঈশ্বৰ যিহোৱাৰ গৃহত যিহোৱালৈ কাতৰোক্তি কৰা, ১৫ হায় হায়, এয়ে কেনে দিন! কিয়নো যিহোৱাৰ ভয়ংকৰ দিন ওচৰ। এই সকলোৰে সৈতে সৰ্ব্বশক্তিমান ঈশ্বৰৰ পৰা যেন প্ৰলয়হে উপস্থিত হ'ল। ১৬ আমাৰ চকুৰ আগত খোৱা বস্তুবোৰ, আৰু এনেকি আমাৰ ঈশ্বৰৰ গৃহৰ আনন্দ আৰু উল্লাস লোপ পোৱা নাই নে? ১৭ বোৱা কঠীয়াৰ ধানবোৰ নিজ নিজ চপৰাৰ তলত শুকাই গ'ল, ভঁৰালবোৰ ধ্বংস কৰা হ'ল, শস্যৰ ঘৰবোৰ ভাগিল, কাৰণ শস্যবোৰ নাইকিয়া হ'ল। ১৮ পশুবোৰে কেনেকৈ কেঁকাইছে! চৰণীয়া ঠাই নোহোৱাৰ বাবে গৰুৰ জাকবোৰ ব্যাকুল হৈছে। এনেকি মেৰ-ছাগ আৰু ছাগলীৰ জাকবোৰে দণ্ড ভোগ কৰিছে। ১৯ হে যিহোৱা, মই তোমাৰেই আগত কাতৰোক্তি কৰিছোঁ। কিয়নো অগ্নিয়ে অৰণ্যৰ চৰণীয়া ঠাইবোৰ গ্ৰাস কৰিলে, অগ্নিশিখাই খেতিৰ সকলো গছবোৰ পুৰি পেলালে। ২০ বনৰ পশুবোৰেও তোমাৰ আগত ক্ৰন্দন কৰিছে, কিয়নো জলৰ জুৰিবোৰ শুকাল, আৰু অৰণ্যৰ চৰণীয়া ঠাইবোৰ অগ্নিয়ে গ্ৰাস কৰিলে।

২ তোমালোকে চিয়োনত শিঙা বজোৱা, আৰু মোৰ পবিত্ৰ পৰ্ব্বতখনত সতৰ্ক-ধ্বনি কৰা! দেশ-নিবাসী সকলোৱেই ভয়ত কঁম্পমান হওঁক, কিয়নো যিহোৱাৰ দিন আহি আছে; হয়, সঁচাই সেয়ে ওচৰ পাইছেহি;
২ সেয়ে আন্ধাৰ আৰু ঘোৰ অন্ধকাৰৰ দিন, ডাৱৰীয়া আৰু ঘন মেঘেৰে হোৱা অন্ধকাৰৰ দিন। পৰ্ব্বতবোৰৰ ওপৰত ব্যাপি থকা অৰুণ যেন ব্যাপ্ত, মহৎ আৰু যেন পৰাক্ৰমী এক জাতি আহিছে। তাৰ নিচিনা কেতিয়াও হোৱা নাই, আৰু তাৰ পাছত পুনৰ কেতিয়াও নহ'ব, আনকি পুৰুষানুক্ৰমে অনেক বছৰলৈকে পুনৰ নহ'ব। ৩ তাৰ আগত অগ্নিয়ে গ্ৰাস কৰিছে, আৰু তাৰ পাছত অগ্নিশিখা জ্বলিছে। তাৰ আগত দেশখন এদন বাৰীৰ নিচিনা, আৰু তাৰ পাছত ধ্বংস কৰা মৰুভূমিৰ নিচিনা।

এনেকি একোৱেই তাৰ পৰা ৰক্ষা নাপায়। ৪ সিহঁতৰ আকৃতি ঘোঁৰাৰ
আকৃতিৰ নিচিনা, আৰু সিহঁত অশ্বাৰোহী সকল দৰে যোৱাৰ দৰে
বেগেৰে যায়। ৫ সিহঁতে জপিওৱা শব্দ পৰ্ব্বতবোৰৰ টিঙত চলা
ৰথসমূহৰ শব্দৰ নিচিনা, সিহঁত খোৱা শব্দ নৰা গ্ৰাসকাৰী অগ্নিশিখাৰ
শব্দৰ নিচিনা, সিহঁত যুদ্ধলৈ বেহু পতা পৰাক্ৰমী এক জাতিৰ সদৃশ।
৬ সিহঁতৰ আগত জাতিবোৰে যাতনা পায়, আৰু সিহঁতৰ আটাইৰে
মুখ বিবৰ্ণ হয়। ৭ সিহঁতে বীৰসকলৰ দৰে লৰ মাৰে; সিহঁতে যুদ্ধাৰু
নিচিনাকৈ গড়ত উঠে; সিহঁতে নিজ নিজ শাৰীত থাকে, আৰু তাক
নভঙাকৈ নিজ নিজ পথত যাত্ৰা কৰে। ৮ সিহঁতে ইটোৱে সিটোৱে
ঠেলাঠেলি নকৰে; প্ৰতিজনে নিজ নিজ পথত যাত্ৰা কৰে; সিহঁতে
নিৰাপত্তা ব্যৱস্থাত বলপূৰ্বক প্ৰবেশ কৰে, আৰু সিহঁতে পৰিলেও
যাত্ৰাপথৰ পৰা বাহিৰ নহয়। ৯ সিহঁতে নগৰত ভ্ৰমি ফুৰে, গড়ৰ
ওপৰত লৰ মাৰে, উঠি ঘৰৰ ভিতৰত সোমায়, আৰু চোৰৰ দৰে
খিড়িকিয়েদি সোমায়। ১০ সিহঁতৰ আগত পৃথিৱী কঁপে, আকাশ-
মণ্ডল জোকাৰ খায়, চন্দ্ৰ আৰু সূৰ্য অন্ধকাৰময় হয়, আৰু তৰাবোৰে
নিজৰ পোহৰ নিদিয়ে। ১১ যিহোৱাই নিজ সৈন্যসামন্তৰ আগত নিজ
কন্ঠধ্বনি শুনাইছে, কিয়নো তেওঁৰ বাহিনী অতিশয় অধিক; কাৰণ
তেওঁৰ আজ্ঞা পালন কৰোঁতাসকল বলৱান। কিয়নো যিহোৱাৰ দিন
মহৎ আৰু অতি ভয়ানক। কোনে তাক সহন কৰিব পাৰে? ১২
যিহোৱাই কৈছে, “তথাপি এতিয়াও”, “তোমালোকৰ সমস্ত মনেৰে
সৈতে মোলৈ ঘূৰা। লঘোন, ক্ৰন্দন আৰু শোক কৰা।” ১৩ আৰু
তোমালোকে তোমালোকৰ বস্ত্ৰ নিছিৰি, হৃদয় ছিৰা, তোমালোকৰ
ঈশ্বৰ যিহোৱালৈ ঘুৰা। কিয়নো তেওঁ কৃপাময় আৰু দয়ালু, ক্ৰোধত ধীৰ
আৰু দয়াত মহান, আৰু অমঙ্গলৰ পৰা নিজকে ঘূৰাওঁতা। ১৪ কোনে
জানে? তেওঁ ঘূৰি মন পালটাব পাৰে, আৰু নিজৰ পাছত আশীৰ্ব্বাদ
দি যাব পাৰে, তোমালোকৰ ঈশ্বৰ যিহোৱাৰ উদ্দেশে দিবলৈ ভক্ষ্য
নৈবেদ্য থৈ যাব পাৰে। ১৫ তোমালোকে চিয়োনত শিঙা বজোৱা,
পবিত্ৰ উপবাস নিৰূপণ কৰা, পবিত্ৰ সমাজ গোট খাবলৈ ঘোষণা কৰা।
১৬ লোকসকলক গোটোৱা, সমাজখন পবিত্ৰ কৰা, পৰিচাৰকসকলক

গোটোৱা, শিশুসকলক গোটোৱা আৰু পিয়াহ খোৱাসকলক গোটোৱা।
দৰা নিজৰ কোঁঠালিৰ পৰা, আৰু কন্যা নিজৰ বিয়াৰ তম্বুৰ পৰা ওলাই
আহক। ১৭ যিহোৱাৰ পুৰোহিত, পৰিচাৰকসকল, যজ্ঞ-বেদী আৰু
বাৰাণ্ডাৰ মাজৰ ঠাইত ক্ৰন্দন কৰক। তেওঁলোকক ক'বলৈ দিয়া, "হে
যিহোৱা, তোমাৰ লোকসকলক দয়া কৰা, আৰু তোমাৰ আধিপত্যক
ধিক্কাৰৰ বিষয় হ'বলৈ নিদিবা, যাতে তেওঁলোকৰ ওপৰত জাতি
সমূহে শাসন কৰিব। কিয় তেওঁলোকে জাতি সমূহৰ মাজত ক'ব,
কত তেওঁলোকৰ ঈশ্বৰ?" ১৮ তেতিয়া যিহোৱা নিজ দেশৰ বাবে
উদ্যোগী আৰু নিজ লোকসকললৈ দয়ালু হ'ল। ১৯ যিহোৱাই উত্তৰ
দি তেওঁৰ লোকসকলক ক'লে: "চোৱা, মই তোমালোকলৈ শস্য,
দ্ৰাক্ষাৰস, আৰু তেল পঠিয়াম। তোমালোক তাৰেই তৃপ্ত হবা, মই
পুনৰ জাতি সমূহৰ মাজত তোমালোকক ধিক্কাৰৰ বিষয় নকৰিম।
২০ মই তোমালোকৰ পৰা উত্তৰদেশীয় সৈন্য-সামন্তক দূৰ কৰিম,
আৰু মই তাক শুকান আৰু ধ্বংস কৰা দেশলৈ খেদি দিম। তাৰ আগ-
ভাগ পূব সাগৰত, আৰু তাৰ পাছ-ভাগ পশ্চিম সাগৰত পেলাই দিম;
তাতে তাৰ গেলা গন্ধ ওলাব, দুৰ্গন্ধ উঠিব। কাৰণ সি মহৎ কাৰ্য
কৰিলে।" ২১ হে দেশ ভয় নকৰিবা, উল্লাসিত হৈ আনন্দ কৰা, কিয়নো
যিহোৱাই মহৎ কাৰ্য কৰিলে। ২২ হে পথাৰৰ পশুবিলাক, ভয় নকৰিবা,
কিয়নো মৰুভূমিত থকা চৰণীয়া ঠাইত ঘাঁহ গজিছে, গছে গুটি ধৰিছে,
ডিমৰু গছ আৰু দ্ৰাক্ষালতাই নিজ নিজ ফল উৎপন্ন কৰিছে। ২৩ হে
চিয়োনৰ সন্তানসকল, তোমালোক আনন্দিত হোৱা, আৰু তোমালোকৰ
ঈশ্বৰ যিহোৱাত উল্লাস কৰা; কিয়নো তেওঁ তোমালোকক উচিত
পৰিমাণে আগতীয়া বৰষুণ দিছে, আৰু আগৰ দৰে জাকে জাকে
আগতীয়া আৰু শেষতীয়া বৰষুণ বৰষাইছে। ২৪ মৰণা মৰা খলাবোৰ
শস্যৰে পূৰ হ'ব, দ্ৰাক্ষাৰস আৰু তেলেৰে কুণ্ডবোৰ উপচি পৰিব।
২৫ "আৰু তোমালোকৰ মাজলৈ মই পঠোৱা সৈন্যসামন্তই, কাকতী
ফৰিং, চেলেকা ফৰিং, বিনাশকাৰী ফৰিং, আৰু কুটি খোৱা ফৰিঙে
সেই কেইবছৰ খোৱাখিনি মই পুনৰায় তোমালোকক দিম। ২৬ তাতে
তোমালোকে প্ৰচুৰ পৰিমাণে খাই তৃপ্ত হবা, যিহোৱাৰ নাম প্ৰশংসা

কৰিবা, আৰু তোমালোকলৈ আচৰিতৰূপে কাৰ্য কৰা তোমালোকৰ
ঈশ্বৰ, মোৰ সন্তান সকলে কেতিয়াও পুনৰ লাজ নাপাব। ২৭ তেতিয়া
মই যে ইস্ৰায়েলৰ মাজত আছোঁ, মই যে তোমালোকৰ ঈশ্বৰ যিহোৱা,
আৰু আন কোনো যে নাই, তাক তোমালোকে জানিবা; মোৰ সন্তান
সকলে কেতিয়াও পুনৰ লাজ নাপাব। ২৮ তাৰ পাছতে মই গোটেই
মনুষ্যজাতিৰ ওপৰত মোৰ আত্মা বাকি দিম, তাতে তোমালোকৰ পো-
জীসকলে ভাববাণী প্ৰচাৰ কৰিব। তোমালোকৰ বৃদ্ধসকলে সপোন
দেখিব, আৰু তোমালোকৰ যুৱক-যুৱতীসকলে দৰ্শন পাব। ২৯ আৰু
দাস-দাসীসকলৰ ওপৰতো সেই কালত মোৰ আত্মা বাকি দিম। ৩০
মই তেজ, অগ্নি, ধূঁৱাস্তম্ভৰে আকাশ-মণ্ডল আৰু পৃথিৱীত অদ্ভুত লক্ষণ
দেখুৱাম। ৩১ যিহোৱাৰ সেই মহৎ আৰু ভয়ানক দিন অহাৰ আগেয়ে
সূৰ্য অন্ধকাৰত পৰিণত হ'ব, আৰু চন্দ্ৰ তেজলৈ পৰিৱৰ্তন হ'ব। ৩২
যিকোনোৱে যিহোৱাৰ নাম ল'ব, তেওঁ উদ্ধাৰ পাব। কিয়নো যিহোৱাই
এইদৰে কৈছে, 'পৰিত্ৰাণ আৰু ৰক্ষা পোৱাসকলৰ মাজৰ পৰা পৰিত্ৰাণ
পোৱা আৰু ৰক্ষা পোৱাসকলৰ মাজৰ পৰা যিহোৱাই যিসকলক আহ্বান
কৰিলে।

৩ চোৱা, সেইবোৰ দিনত আৰু সময়ত, মই যিহূদাৰ আৰু যিৰূচালেমৰ
বন্দী-অৱস্থাত থকা লোকসকলক ঘূৰাই আনিম, ২ মই সকলো জাতিক
গোটাই যিহোচাফটৰ উপত্যকালৈ নমাই আনিম। সেই ঠাইত মই
তেওঁলোকৰ বিচাৰ কৰিম, কিয়নো মোৰ প্ৰজাবোৰক আৰু মোৰ
যি উত্তৰাধিকাৰ স্বৰূপ ইস্ৰায়েলক তেওঁলোকে জাতিবোৰৰ মাজত
ছিন্ন-ভিন্ন কৰিলে, আৰু তেওঁলোকে মোৰ দেশ ভাগ বাঁটি ল'লে। ৩
তেওঁলোকে মোৰ প্ৰজাসকলৰ কাৰণে চিঠি খেলালে, ল'ৰাক বিক্ৰী
কৰি তাৰ সলনি বেশ্যা ল'লে, আৰু ছোৱালীক বিক্ৰী কৰি পান কৰিবৰ
অভিপ্ৰায়েৰে দ্ৰাক্ষাৰস কিনিলে। ৪ এতিয়া তোমালোকে মোৰ প্ৰতি
কিয় খং কৰিছা, হে তূৰ, চীদোন আৰু পলেষ্টিয়াসকলৰ আটাই অঞ্চল?
তোমালোকে মোক ক্ষতিপূৰণ দিয়া নে? যদি তোমালোকে মোক
ক্ষতিপূৰণ দিয়া, তেতিয়া হ'লে মই অতি শীঘ্ৰে বেগেৰে গৈ তোমালোকে
দিয়া ক্ষতিপূৰণৰ প্ৰতিফল তোমালোকৰ মূৰৰ ওপৰত দিম। ৫

কিয়নো তোমালোকে মোৰ ৰূপ আৰু সোণ নিলা, আৰু তোমালোকৰ
মন্দিৰবোৰলৈ মোৰ উত্তম উত্তম মনোহৰ বস্তুবোৰ লৈ গলা। ৬
তোমালোকে যিহূদা আৰু যিৰূচালেমৰ সন্তান সকলক গ্ৰীকসকলৰ
ওচৰত বিক্ৰী কৰিলা যাতে তেওঁলোকে তেওঁলোকক দেশৰ পৰা
অপসাৰণ কৰি দূৰলৈ নিয়াৰ নিৰ্দেশ দিব পাৰে। ৭ কিন্তু চোৱা, যি
ঠাইত তোমালোকে তেওঁলোকক বিক্ৰী কৰিলা, সেই ঠাইৰ পৰা নিজ
ঠাইলৈ ঘূৰিবলৈ মই তেওঁলোকক উদ্ধাৰ কৰিম, আৰু তোমালোকৰ
প্ৰতিকাৰৰ প্ৰতিফল মই তোমালোকৰ মূৰৰ ওপৰত দিম। ৮ আৰু
তোমালোকৰ পো-জীবোৰক যিহূদাৰ সন্তান সকলৰ হাতত বিক্ৰী
কৰিম। তেওঁলোকে দূৰত থকা জাতি চিবায়ীয়া লোকসকলৰ ওচৰত
তেওঁলোকক বিক্ৰী কৰিব। কিয়নো যিহোৱাই এই কথা ক'লে।
৯ তোমালোকে জাতি সমূহৰ মাজত এই কথা ঘোষণা কৰা: ‘যুদ্ধ
কৰিবলৈ সাজু হোৱা, বীৰ লোকসকলক জাগ্ৰত কৰা, তেওঁলোকক
ওচৰলৈ আনা, আৰু আটাই ৰণুৱা উপস্থিত হওঁক। ১০ তোমালোকে
তোমালোকৰ নাঙলৰ ফাল পিটি তৰোৱাল, আৰু তোমালোকৰ কলম
দিয়া কটাৰী পিটি যাঠী গঢ়োৱা। “মই শক্তিশালী”, এই বুলি দুৰ্ব্বল
সকলে কওঁক। ১১ হে চাৰিওফালে থকা জাতি সমূহ, অগ্ৰসৰ হোৱা
আৰু আহা, হে যিহোৱা, তোমাৰ বীৰসকলক সেই ঠাইলৈ নমাই আনা।
১২ জাতি সমূহ নিজে জাগি উঠক, আৰু যিহোচাফটৰ উপত্যকালৈ
আহক; কিয়নো মই সেই ঠাইত চাৰিওফালে থকা জাতি সমূহৰ
বিচাৰ কৰিবলৈ বহিম। ১৩ তোমালোকে কাঁচি লগোৱা, কিয়নো শস্য
পকিল। আহাঁ দ্ৰাক্ষাকুণ্ড গচকা, কিয়নো দ্ৰাক্ষাকুণ্ড পৰিপূৰ্ণ হৈছে,
আৰু ৰসৰ আধাৰবোৰ উপচি পৰিছে, কিয়নো তেওঁলোকৰ দুষ্টতা
অধিক।” ১৪ তাত আলোড়ন হৈছে। সোধ-বিচাৰ কৰা উপত্যকাত
আলোড়ন হৈছে।। কিয়নো সোধ-বিচাৰৰ উপত্যকাত দণ্ড দিব লগা
যিহোৱাৰ দিন ওচৰ হৈছে। ১৫ সূৰ্য আৰু চন্দ্ৰ অন্ধকাৰ হৈছে, আৰু
তৰাবোৰে নিজৰ পোহৰ নিদিয়া হৈছে। ১৬ যিহোৱাই চিয়োনৰ পৰা
গৰ্জ্জন কৰিব, আৰু যিৰূচালেমৰ পৰা নিজৰ মাত শুনাব। আকাশ-
মণ্ডল আৰু পৃথিৱী কঁপিব, কিন্তু যিহোৱা নিজ প্ৰজাসকলৰ আশ্ৰয় আৰু

ইস্ৰায়েলৰ সন্তান সকলৰ কোঁঠস্বৰূপ হ'ব। ১৭ "তেতিয়া মই যে মোৰ
পবিত্ৰ পৰ্ব্বত চিয়োনত বাস কৰোঁতা তোমালোকৰ ঈশ্বৰ যিহোৱা,
সেই বিষয়ে তোমালোকে জানিবা। তেতিয়া যিৰূচালেম পবিত্ৰ হ'ব,
আৰু কোনো বিদেশী সৈন্য দলে তাৰ মাজেদি পুনৰ অহা-যোৱা কৰিব
নোৱাৰিব। ১৮ সেই দিনা পৰ্ব্বতবোৰৰ পৰা নতুন দ্ৰাক্ষাৰস টোপা-
টোপে পৰিব, ওখ পৰ্ব্বতবোৰৰ পৰা গাখীৰৰ সূঁতী বৈ যাব, যিহূদাৰ
আটাই জুৰিবোৰৰ পানী বৈ যাব, আৰু যিহোৱাৰ গৃহৰ পৰা এটা ভুমুক
ওলাই চিটীমৰ উপত্যকাত পানী দিব। ১৯ যিহূদাৰ সন্তানসকলক কৰা
অত্যাচাৰৰ কাৰণে মিচৰ ধ্বংসস্থান হ'ব, আৰু ইদোম ধ্বংস-অৰণ্য
হ'ব, কিয়নো তেওঁলোকে নিজৰ দেশতে নিৰ্দ্দোষীৰ ৰক্তপাত কৰিলে।
২০ কিন্তু যিহূদী চিৰকাললৈকে, আৰু যিৰূচালেম পুৰুষানুক্ৰমে থাকিব।
২১ মই তেওঁলোকৰ যি ৰক্তপাতৰ প্ৰতিকাৰ সধা নাই, সেই ৰক্তপাতৰ
প্ৰতিকাৰ সাধিম," কিয়নো যিহোৱাই চিয়োনত বাস কৰিছে।

# আমোস

১ আমোচ তকোৱাৰ মেৰ-ছাগ ৰখীয়াসকলৰ মাজৰ এজন আছিল।
তেতিয়া যিহূদাৰ ৰজা আছিল উজ্জিয়া আৰু ইস্রায়েলৰ ৰজা আছিল
যোৱাচৰ পুত্ৰ যাৰবিয়াম। ভূমিকম্পৰ দুবছৰৰ আগেয়ে ইস্রায়েলৰ
বিষয়ে আমোচে এই সকলো দৰ্শন পায়। ২ আমোচে ক’লে,
“যিহোৱাই চিয়োনৰ পৰা গৰ্জন কৰিছে, আৰু যিৰূচালেমৰ পৰা
উচ্চস্বৰে কথা কৈছে। মেৰ-ছাগ ৰখীয়াবোৰৰ চৰণীয়া ঠাইবোৰৰ
শোক হ’ব আৰু কৰ্মিল পৰ্বতৰ চূড়া শুকাই গৈছে।” ৩ যিহোৱাই এই
কথা কৈছে: “দম্মেচকৰ তিনিটা এনে কি চাৰিটা অপৰাধৰ কাৰণে মই
তাক দণ্ড নিদিয়াকৈ নাথাকিম; কিয়নো শস্যৰ মৰণা মৰা লোহাৰ
যন্ত্ৰেৰে তেওঁলোকে গিলিয়দক মাৰিলে। ৪ সেইবাবে মই হজায়েলৰ
ৰাজপ্ৰাসাদৰ ওপৰত অগ্নি নিক্ষেপ কৰিম; সেই জুইয়ে বিন-হদদৰ
দুৰ্গবোৰ গ্ৰাস কৰিব। ৫ মই দম্মেচকৰ দুৱাৰৰ ডাংবোৰ ভাঙি পেলাম।
মই আবন উপত্যকাৰ পৰা বাসিন্দাসকলক আৰু বৈৎ-এদনৰ পৰা
ৰাজদণ্ড ধৰা লোকক উচ্ছন্ন কৰিম; অৰামৰ লোকসকল বন্দী হৈ
কীৰলৈ যাব।” ৬ যিহোৱাই এই কথা কৈছে: “গাজাৰ তিনিটা, এনে
কি, চাৰিটা অপৰাধৰ কাৰণে মই তাক দণ্ড নিদিয়াকৈ নাথাকিম;
কিয়নো ইদোমৰ হাতত শোধাই দিবৰ কাৰণে তেওঁলোকে সকলো
লোকক বন্দী কৰি লৈ গৈছিল। ৭ সেইবাবে মই গাজাৰ প্ৰাচীৰৰ
ওপৰত অগ্নি নিক্ষেপ কৰিম; সেই অগ্নিয়ে তাৰ দুৰ্গবোৰ গ্ৰাস কৰি
পেলাব। ৮ মই অচ্‌দোদৰ বাসিন্দাসকলক আৰু অস্কিলোনৰ পৰা
ৰাজদণ্ড ধৰা লোকক উচ্ছন্ন কৰিম; মই ইক্ৰোণৰ বিৰুদ্ধে মোৰ হাত
চলাম আৰু পলেষ্টীয়াসকলৰ অৱশিষ্ট জীৱিত লোক বিনষ্ট হ’ব।” ৯
যিহোৱাই এই কথা কৈছে: তূৰৰ তিনিটা এনে কি, চাৰিটা অপৰাধৰ
কাৰণে মই তাক দণ্ড নিদিয়াকৈ নাথাকিম; কিয়নো ভাতৃত্ববোধৰ চুক্তি
অগ্ৰাহ্য কৰি তেওঁলোকে সকলো লোকক ইদোমৰ হাতত শোধাই
দিলে। ১০ সেইবাবে মই তূৰৰ প্ৰাচীৰৰ ওপৰত অগ্নি নিক্ষেপ কৰিম;
সেই জুইয়ে তাৰ দুৰ্গবোৰ গ্ৰাস কৰি পেলাব।” ১১ যিহোৱাই এই কথা
কৈছে: “ইদোমৰ তিনিটা, এনে কি চাৰিটা অপৰাধৰ কাৰণে মই তাক

দণ্ড নিদিয়াকৈ নাথাকিম; কিয়নো সকলো দয়া-মমতা ত্যাগ কৰি
ইদোমে হাতত তৰোৱাল লৈ নিজ ভাইবোৰক খেদিলে; তেওঁলোকৰ
ভয়ঙ্কৰ ক্ৰোধ অবিৰামে চলি আছিল আৰু তেওঁলোকে তাক চিৰকাল
ধৰি ৰাখিছিল। ১২ সেইবাবে মই তৈমনৰ ওপৰলৈ অগ্নি নিক্ষেপ
কৰিম; সেই অগ্নিয়ে বস্ৰাৰ ৰাজঅট্টালিকাবোৰ গ্ৰাস কৰি পেলাব।” ১৩
যিহোৱাই এই কথা কৈছে: “অম্মোনৰ লোকসকলৰ তিনিটা, এনে
কি চাৰিটা অপৰাধৰ কাৰণে মই তাক দণ্ড নিদিয়াকৈ নাথাকিম;
কিয়নো নিজৰ সীমা বঢ়াবৰ কাৰণে তেওঁলোকে গিলিয়দৰ গৰ্ভৱতী
মহিলাসকলৰ উদৰ ফালিলে। ১৪ সেইবাবে যুদ্ধৰ দিনত বিজয়ধ্বনিৰে
সৈতে, ভয়ঙ্কৰ বা’মৰলী বতাহৰ দিনত ধুমুহাৰে সৈতে মই ৰব্বাৰ
প্ৰাচীৰবোৰত জুই লগাই দিম; সেয়ে ৰাজঅট্টালিকাবোৰ গ্ৰাস কৰি
পেলাব। ১৫ তেওঁলোকৰ ৰজা আৰু তেওঁলোকৰ অধিকাৰীসকলক
একেলগে বন্দী কৰি লৈ যোৱা হ’ব।”

২ যিহোৱাই এই কথা কৈছে: “মোৱাবৰ তিনিটা, এনে কি চাৰিটা
অপৰাধৰ কাৰণে মই তাক দণ্ড নিদিয়াকৈ নাথাকিম; কিয়নো সি
ইদোমৰ ৰজাৰ হাড়বোৰ পুৰি চূৰ্ণ কৰিলে। ২ সেইবাবে মই মোৱাবৰ
ওপৰলৈ অগ্নি নিক্ষেপ কৰিম; সেয়ে কৰিয়োতৰ দুৰ্গবোৰ গ্ৰাস কৰি
পেলাব; যুদ্ধৰ ধ্বনি আৰু ভীষণ শিঙাৰ শব্দেৰে সৈতে কোলাহলৰ
মাজত মোৱাবৰ পতন হ’ব। ৩ মোৱাবৰ মাজৰ পৰা মই বিচাৰকৰ্ত্তাক
উচ্ছন্ন কৰিম আৰু তেওঁৰ লগত সকলো অধিকাৰীকো বধ কৰিম।” ৪
যিহোৱাই এই কথা কৈছে: “যিহূদাৰ তিনিটা, এনে কি চাৰিটা অপৰাধৰ
কাৰণে মই তাক দণ্ড নিদিয়াকৈ নাথাকিম। কিয়নো তেওঁলোকে
যিহোৱাৰ ব্যৱস্থা অগ্ৰাহ্য কৰিলে; তেওঁৰ বিধিবোৰ পালন নকৰিলে;
তেওঁলোকৰ পূৰ্বপুৰুষসকলে যি মিথ্যা দেৱতাবোৰৰ পাছত চলিছিল,
তেওঁলোকো সেইদৰে বিপথে গ’ল। ৫ সেইবাবে মই যিহূদাৰ ওপৰলৈ
অগ্নি নিক্ষেপ কৰিম আৰু সেয়ে যিৰূচালেমৰ দুৰ্গবোৰ গ্ৰাস কৰি
পেলাব। ৬ যিহোৱাই এই কথা কৈছে: “ইস্ৰায়েলৰ তিনিটা, এনে কি
চাৰিটা অপৰাধৰ কাৰণে মই তাক দণ্ড নিদিয়াকৈ নাথাকিম; কাৰণ
তাৰ লোকসকলে ৰূপৰ বিনিময়ত সৎ লোকক আৰু এযোৰ জোতাৰ

বিনিময়ত দৰিদ্ৰক বিক্ৰি কৰে। ৭ তেওঁলোকে দৰিদ্ৰৰ মূৰবোৰ মাটিৰ
ধূলিত গছকে আৰু পীড়িতসকলক পথৰ পৰা দূৰলৈ ঠেলি পঠায়।
পিতৃ আৰু পুত্ৰই একেজনী যুৱতীৰ সৈতে শয়ন কৰে আৰু এইদৰে
মোৰ পবিত্ৰ নাম অপবিত্ৰ কৰে। ৮ তেওঁলোক প্ৰত্যেক যজ্ঞ-বেদীৰ
কাষত বন্ধকত লোৱা কাপোৰৰ ওপৰত শোৱে। জৰিমনা কৰি পোৱা
ধনেৰে দ্ৰাক্ষাৰস কিনি তেওঁলোকে তেওঁলোকৰ দেৱতাৰ মন্দিৰত
পান কৰে। ৯ ইমোৰীয়াসকল যদিও এৰচ গছৰ নিচিনা ওখ আৰু
অল্লোন গছৰ নিচিনা শক্তিশালী, আছিল তথাপিও তোমালোকৰ
সন্মুখতে মই সেই ইমোৰীয়া লোকক ধ্বংস কৰিলোঁ; মই ওপৰত থকা
তেওঁলোকৰ ফল আৰু তলত থকা তেওঁলোকৰ শিপা নষ্ট কৰিলোঁ।
১০ সেই ইমোৰীয়াসকলৰ দেশত আধিপত্য দিবৰ কাৰণে ময়েই
মিচৰ দেশৰ পৰা তোমালোকক উলিয়াই আনি চল্লিশ বছৰলৈকে
মৰুপ্ৰান্তৰত লৈ ফুৰালোঁ। ১১ হে ইস্ৰায়েলবাসী, মই যে তোমালোকৰ
সন্তান সকলৰ মাজৰ কোনো কোনোক ভাববাদী আৰু যুৱকসকলৰ
মাজৰ কোনো কোনোক নাচৰীয় হিচাবে বাচি ললোঁ, এই কথা জানো
সত্য নহয়?" যিহোৱাই ইয়াকে কৈছে। ১২ "কিন্তু তোমালোকে
সেই নাচৰীয়সকলক দ্ৰাক্ষাৰস পান কৰালা আৰু ভাৱবাণী প্ৰচাৰ
কৰিবলৈ সেই ভাববাদীসকলক নিষেধ কৰিলা। ১৩ চোৱা, শস্যভৰা
গাড়ীৰ তলত শস্য পৰিলে যেনেকৈ গুড়ি হয়, তেনেকৈ এতিয়া মই
তোমালোকক পিহি গুড়ি কৰিম। ১৪ সেই কালত দ্ৰুতগামী লোকেও
পলায়ন কৰি ৰক্ষা পোৱাৰ উপায় নাথাকিব; বলবানে নিজৰ বল দেখাব
নোৱাৰিব আৰু পৰাক্ৰমীজনেও নিজৰ প্ৰাণ ৰক্ষা কৰিব নোৱাৰিব; ১৫
ধনুৰ্দ্ধৰ স্থিৰভাৱে ৰৈ থাকিব নোৱাৰিব; বেগী দৌৰবিদজনে পলাব
নোৱাৰিব; এনেকি অশ্বাৰোহীয়ে নিজৰ প্ৰাণ ৰক্ষা কৰিব নোৱাৰিব।
১৬ যোদ্ধাসকলৰ মাজৰ অতি সাহিয়াল লোকেও সেই দিনা উলঙ্গ হৈ
পলাই যাব।" ইয়াক যিহোৱাই কৈছে।

৩ হে ইস্ৰায়েলৰ লোক সমূহ, তোমালোকৰ বিৰুদ্ধে অৰ্থাৎ যিসকলক
মিচৰ দেশৰ পৰা মই উলিয়াই আনিলো, সেই গোটেই ফৈদৰ বিৰুদ্ধে
যিহোৱাই কোৱা এই বাক্য শুনা; ২ "পৃথিৱীৰ সকলো ফৈদৰ মাজৰ

পৰা মই কেৱল তোমালোককেই বাচি ললোঁ। এই কাৰণে তোমালোকৰ
সকলো পাপ কাৰ্যৰ বাবে মই তোমালোকক দণ্ড দিম।। ৩ এক-
পৰামৰ্শ নহলে দুজনে জানো একেলগে খোজ কাঢ়ে? ৪ চিকাৰ
নোপোৱাকৈ অৰণ্যত সিংহই জানো গৰ্জ্জন কৰে? একো নধৰাকৈ যুবা
সিংহই জানো তাৰ গাতৰ ভিতৰত গুজৰি থাকে? ৫ ফান্দত টোপ
নাথাকিলে জানো চৰাই ফান্দৰ ওচৰলৈ আহে? একো নধৰাকৈ জানো
ফান্দ উফৰি উঠে? ৬ নগৰত ৰণশিঙা বজালে প্ৰজাসকল জানো
নকঁপিব? যিহোৱাই নঘটালে জানো নগৰত বিপৰ্যয় ঘটে? ৭ অৱশ্যে
প্ৰভু যিহোৱাই তেওঁৰ দাস ভাববাদীসকলৰ ওচৰত নিজৰ পৰিকল্পনা
প্ৰকাশ নকৰাকৈ একোকে নকৰে। ৮ সিংহই গৰ্জ্জন কৰিলে কোনে
ভয় নকৰিব? প্ৰভু যিহোৱাই কবলৈ কলে কোনে ভাববাদীৰূপে কথা
নোকোৱাকৈ থাকিব পাৰিব? ৯ তোমালোকে অচদোদ আৰু মিচৰৰ
সকলো দুৰ্গৰ লোকসকলৰ ওচৰত প্ৰচাৰ কৰি কোৱা, ‘তোমালোকে
চমৰিয়াৰ পৰ্ব্বতবোৰৰ ওপৰত গোট খোৱা; চোৱা, তাৰ মাজত কিমান
বিশৃঙ্খল হৈছে! লোকসকলৰ মাজত কিমান অত্যাচাৰ হৈছে’!” ১০
কিয়নো প্ৰভু যিহোৱাই এই কথা কৈছে, “তেওঁলোকে ন্যায় কাৰ্য কৰিব
নাজানে; তেওঁলোকৰ দুৰ্গবোৰৰ ভিতৰত তেওঁলোকে অত্যাচাৰ আৰু
লুট-দ্ৰব্য সাঁচি থৈছে। ১১ এই হেতুকে কোনো এজন শত্ৰুৱে দেশ
ঘেৰাও কৰিব; তেওঁ তেওঁলোকৰ শক্তিশালী প্ৰতিৰক্ষাৰ উপায়বোৰ
ধ্বংস কৰিব আৰু দুৰ্গবোৰ লুট কৰিব।” ১২ যিহোৱাই এই কথা
কৈছে, “মেৰ-ছাগ ৰখীয়াই যেনেকৈ সিংহৰ মুখৰ পৰা কেৱল মেৰ-
ছাগৰ দুখন ঠেং বা কাণৰ এডোখৰ উদ্ধাৰ কৰিব পাৰে, তেনেকৈ
চমৰিয়াত যি ইস্ৰায়েলৰ লোকসকলে বাস কৰে, তেওঁলোকে কেৱল
শয্যাৰ চুক বা বিচনা চাদৰৰ এটা টুকুৰাৰ সৈতে উদ্ধাৰ পাব।” ১৩
বাহিনীগণৰ ঈশ্বৰ যিহোৱাই কৈছে, “তোমালোকে শুনা আৰু যাকোবৰ
বংশৰ বিৰুদ্ধে সাক্ষ্য দিয়া। ১৪ কিয়নো মই যিদিনা পাপৰ কাৰণে
ইস্ৰায়েলক দণ্ড দিম, সেইদিনা মই বৈৎএলৰ যজ্ঞবেদীবোৰ ভাঙি
পেলাম; বেদীৰ শিংবোৰ ভাঙি মাটিত পৰিব। ১৫ মই জাৰকাল কটোৱা
ঘৰ আৰু জহকাল কটোৱা ঘৰ ভাঙি পেলাম; হাতী দাঁতৰ শিল্পকাৰ্য

কৰা ঘৰবোৰ নষ্ট কৰা হ’ব আৰু ডাঙৰ ডাঙৰ ঘৰবোৰ ধ্বংস কৰা
হ’ব।” যিহোৱাই এই কথা কৈছে।

**৪** হে চমৰিয়াৰ পৰ্বতত বাস কৰা বাচানৰ গাইৰ দৰে মহিলাসকল,
তোমালোকে শুনা। তোমালোকে দুখীয়াক অত্যাচাৰ কৰা,
অভাৱীসকলক চূৰ্ণ কৰা, আৰু নিজ নিজ স্বামীক কোৱা, “আমাৰ
কাৰণে পানীয় আনা।” ২ প্ৰভু যিহোৱাই নিজ পবিত্ৰতাৰ শপত খাই
কৈছে: “চোৱা, সেই সময় নিশ্চয় আহিব, তেতিয়া হাকোঁতা লগাই
তোমালোকক টানি লৈ যোৱা হ’ব। তোমালোকৰ শেষজনকো বৰশীৰে
টানি নিয়া হ’ব।” ৩ তোমালোক প্ৰতিগৰাকীয়ে নিজৰ সন্মুখতে
পোৱা নগৰৰ দেৱালৰ ভগ্নস্থানৰ মাজেদি পোনে পোনে বাহিৰ ওলাই
যাবা আৰু তোমালোকক হৰ্মোন ফালে পেলোৱা হ’ব। মই যিহোৱাই
এই কথা কৈছোঁ। ৪ তোমালোক বৈৎএললৈ যোৱা আৰু পাপ কৰা;
গিলগললৈ গৈ অধিক বেছি পাপ কৰা। তোমালোকে প্ৰতি ৰাতিপুৱা
তোমালোকৰ উৎসৰ্গৰ বলি আৰু প্ৰতি তিনি দিনৰ দিনা তোমালোকৰ
দশম ভাগ আনা। ৫ তোমালোকে ধন্যবাদৰ অৰ্থে খমিৰ দিয়া পিঠা
উৎসৰ্গ কৰা আৰু ইচ্ছাকৃতভাৱে দিয়া উৎসৰ্গৰ বিষয়ে প্ৰচাৰ কৰা;
সেইবোৰৰ বিষয়ে ঘোষণা কৰা; কিয়নো, হে ইস্ৰায়েলৰ লোক সমূহ,
তোমালোকে এই সকলো কৰিয়েই সন্তোষ পোৱা।” প্ৰভু যিহোৱাই
এই কথা কৈছে। ৬ “মই তোমালোকৰ নগৰবোৰত আহাৰ নিদি
তোমালোকৰ দাঁত পৰিস্কাৰ কৰি ৰাখিলোঁ আৰু তোমালোকৰ সকলো
ঠাইত অন্নৰ অভাৱ কৰিলোঁ; তথাপি, তোমালোক মোলৈ ঘূৰি নাহিলা।”
যিহোৱাই এই কথা কৈছে। ৭ “শস্য দাবলৈ তিনি মাহ থাকোঁতেই
মই তোমালোকৰ ওপৰত বৰষুণ পৰা বন্ধ কৰি দিলোঁ; এখন নগৰৰ
ওপৰত বৰষুণ বৰষালোঁ আৰু আনখনত বৰষুণ বন্ধ কৰিলোঁ। এডোখৰ
ভূমিয়ে বৰষুণ পালে আৰু আন এডোখৰে বৰষুণ নোপোৱাত শুকাই
গ’ল। ৮ পানী খাবৰ কাৰণে দুই তিনিখন নগৰৰ লোকসকলে ঢলং
পলং কৰি আন নগৰলৈ গ’ল, কিন্তু যথেষ্ট পানী নাপালে। তথাপিও
তোমালোক মোলৈ ঘূৰি নাহিলা।” যিহোৱাই এই কথা কৈছে। ৯
“মই তোমালোকৰ শস্যবোৰ শুকাই যোৱা ৰোগ আৰু ভেঁকুৰ ধৰা

ৰোগেৰে আঘাত কৰিলোঁ; তোমালোকৰ বাগানসমূহ, দ্ৰাক্ষাবাৰীবোৰ,
ডিমৰু আৰু জিত গছবোৰ কাকতি ফৰিঙে খাই ধ্বংস কৰিলে; তথাপি
তোমালোকে মোলৈ ঘূৰি নাহিলা।" যিহোৱাই এই কথা কৈছে। ১০
মিচৰলৈ যেনেকৈ পঠাইছিলো, তেনেকৈ "মই তোমালোকৰ মাজলৈ
মহামাৰী পঠালোঁ; তোমালোকৰ যুবকসকলক মই তৰোৱালৰ দ্বাৰাই
বধ কৰিলোঁ; তোমালোকৰ ঘোঁৰাবোৰ লৈ গলোঁ; তোমালোকৰ ছাউনিৰ
দুৰ্গন্ধ তোমালোকৰ নাকত সুমুৱাই দিলোঁ; তথাপি তোমালোকে মোলৈ
ঘূৰা নাই।" যিহোৱাই এই কথা কৈছে। ১১ মই, তোমালোকৰ ঈশ্বৰে
চদোম আৰু ঘমোৰাক যেনেকৈ ধ্বংস কৰিছিলোঁ, তোমালোককো
সেইদৰে ধ্বংস কৰিলোঁ। তোমালোক জুইৰ পৰা উলিয়াই অনা আধা
পোৰা কাঠৰ নিচিনা থ'লো, তথাপিও তোমালোকে মোলৈ ঘূৰা নাই।"
যিহোৱাই এই কথা কৈছে। ১২ সেই কাৰণে, হে ইস্ৰায়েলৰ লোক
সমূহ, মই তোমালোকলৈ ভয়ানক কিবা এটা ব্যৱহাৰ কৰিম; মই
ভয়ানক ব্যৱহাৰ কৰিম বাবে হে ইস্ৰায়েলবাসী, তোমালোকে নিজ
ঈশ্বৰৰ লগত সাক্ষাৎ হ'বলৈ যুগুত হোৱা। ১৩ কাৰণ চোৱা, যি জনাই
পৰ্বতবোৰ নিৰ্ম্মাণ কৰে, বতাহ সৃষ্টি কৰে আৰু মানুহৰ ওচৰত নিজৰ
ভাব প্ৰকাশ কৰে; যি জনাই ৰাতিপুৱাৰ পোহৰক অন্ধকাৰ কৰে আৰু
পৃথিবীৰ উচ্চস্থানবোৰত অহা-যোৱা কৰে, তেওঁৰ নাম বাহিনীগণৰ
ঈশ্বৰ যিহোৱা।

৫ হে ইস্ৰায়েল-বংশ; মই তোমালোকৰ যি বিষয় লৈ বিলাপ কৰিছোঁ,
সেই বিষয়ে তোমালোকে শুনা। ২ "কুমাৰী ইস্ৰায়েল পতিত হ'ল, তেওঁ
পুনৰ নুঠিব; তেওঁক নিজৰ দেশৰ মাটিত পৰিত্যক্তা কৰি পেলাই থোৱা
হৈছে, তেওঁক তুলিবলৈ কোনো নাই।" ৩ কিয়নো প্ৰভু যিহোৱাই এই
কথা কৈছে: "ইস্ৰায়েলৰ যি নগৰৰ পৰা এক হাজাৰ সৈন্য ওলাই যায়,
তাৰে এশজন জীয়াই থাকিব আৰু যি নগৰৰ পৰা এশজন লোক ওলাই
যায়, তাৰ মাত্ৰ দহ জন ইস্ৰায়েল-বংশলৈ অৱশিষ্ট থাকিব।" ৪ যিহোৱাই
ইস্ৰায়েল-বংশক এই কথা কৈছে, "তোমালোকে মোক বিচাৰা আৰু
জীয়াই থাকা; ৫ কিন্তু বৈৎএলক বিচাৰি নাযাবা; গিলগলত নোসোমাবা,
আৰু বেৰ-চেবালৈ নাযাবা; কিয়নো গিলগল অৱশ্যেই বন্দী হ'ব, আৰু

বৈৎ-এলৰ সৰ্বনাশ হ’ব। ৬ তোমালোকে যিহোৱাক বিচাৰা, তাতে
জীয়াই থাকিবা; নহলে তেওঁ যোচেফৰ বংশৰ মাজত অগ্নিৰ দৰে জ্বলি
উঠি গ্ৰাস কৰিব আৰু তাক নুমাবলৈ বৈৎএলত কোনো নাথাকিব। ৭
তোমালোকে সুবিচাৰক তিতালৈ পৰিণত কৰিছা আৰু ধাৰ্মিকতাক
ভূমিস্যাৎ কৰিছা। ৮ যি জনাই কৃত্তিকা আৰু মৃগশীৰ্ষ কালপুৰুষ নামৰ
নক্ষত্ৰ মণ্ডলীক নিৰ্মাণ কৰিলে, অন্ধকাৰক পুৱাৰ পোহৰলৈ পৰিবৰ্তন
কৰে, দিনক ৰাতিলৈ সলনি কৰে, যি জনাই সাগৰৰ জল সমূহক
আহ্বান কৰি ভূমিৰ ওপৰত ঢালি দিয়ে, তেওঁৰ নাম যিহোৱা! ৯ তেওঁ
শক্তিশালী সৈন্যবোৰৰ ওপৰত হঠাৎ বিনাশ উপস্থিত কৰায়, তাতে
দুৰ্গবোৰৰ ওপৰলৈ ধ্বংস নামি আঁহে। ১০ নগৰৰ দুৱাৰত অন্যায়ৰ
বিৰুদ্ধে থিয় হোৱাজনক, তোমালোকে ঘিণ কৰা আৰু সত্য কথা কোৱা
জনক তুচ্ছ কৰা। ১১ তোমালোকে দুখীয়াক অত্যাচাৰেৰে গছকি
বলেৰে ঘেঁহু ধান আদায় কৰা। সেয়ে যদিও তোমালোকে কটা-শিলৰ
ডাঙৰ ঘৰ তৈয়াৰ কৰিলা, তথাপিও তোমালোকে তাত বাস কৰিবলৈ
নাপাবা; মনোহৰ দ্ৰাক্ষাবাৰী পাতিলেও, তাৰ দ্ৰাক্ষাৰস পান কৰিবলৈ
নাপাবা। ১২ কিয়নো, মই জানো তোমালোকৰ অপৰাধ কিমান অধিক
আৰু তোমালোকৰ পাপবোৰ কিমান ভীষণ! তোমালোকে সৎ লোকৰ
ওপৰত উপদ্ৰৱ কৰা আৰু ভেটী লোৱা; নগৰৰ দুৱাৰত তোমালোকে
দৰিদ্ৰসকলৰ প্ৰতি অন্যায় কৰিছা। ১৩ সেই বাবে এই, এই সময়ত
বিজ্ঞ লোক মনে মনে থাকে; কিয়নো ই এক দু: সময়। ১৪ তোমালোকে
যাতে জীয়াই থাকিব পাৰা, সেইবাবে ভাল কামৰ পিছত যোৱা, বেয়া
কামৰ পিছত নহয়। তেতিয়া তোমালোকে কোৱাৰ দৰে বাহিনীগণৰ
ঈশ্বৰ যিহোৱা তোমালোকৰ লগত থাকিব। ১৫ যি মন্দ, তাক ঘিণ
কৰা আৰু যি ভাল, তাক ভালপোৱা। নগৰৰ দুৱাৰত সুবিচাৰ স্থাপন
কৰা; তেতিয়া কিজানি যোচেফৰ জীয়াই থকা অৱশিষ্ট লোকৰ প্ৰতি
বাহিনীগণৰ ঈশ্বৰ যিহোৱাই দয়া কৰিব। ১৬ সেইবাবে বাহিনীগণৰ
ঈশ্বৰ প্ৰভু যিহোৱাই এই কথা কৈছে, “নগৰৰ চকবোৰত লোকে
বিলাপ কৰিব, আলিবোৰত হায়! হায়! কৰিব; তেওঁলোকে খেতিয়কক
শোক কৰিবলৈ, আৰু শোক কৰাসকলক বিলাপ কৰিবলৈ মাতিব।

১৭ সকলো দ্ৰাক্ষাবাৰীতে বিলাপ হ'ব, কিয়নো মই তোমালোকৰ
মাজেদি যাম।” যিহোৱাই এই কথা কৈছে। ১৮ তোমালোক যিসকলে
প্ৰভুৰ বিচাৰৰ দিন চাবলৈ আকাংক্ষা কৰা, সেই লোকসকলক ধিক।
তোমালোকে কিয় যিহোৱাৰ সোধবিচাৰৰ দিনলৈ আকাংক্ষা কৰা? সেই
দিন অন্ধকাৰ, পোহৰ নহয়। ১৯ যেনেদৰে কোনো মানুহ সিংহৰ মুখৰ
পৰা পলাই গৈ এটা ভালুকৰ সন্মুখত পৰে, নাইবা নিজৰ ঘৰত সোমাই
দেৱালত হাত দিওঁতে তেওঁক সাপে খুটে, তেনেদৰেই হ'ব সেইদিন।
২০ যিহোৱাৰ দিন জানো পোহৰ নহৈ অন্ধকাৰ নহ'ব? সেয়ে জানো
উজ্জ্বলতা নথকা ঘোৰ অন্ধকাৰৰ দিন নহ'ব? ২১ মই তোমালোকৰ
পৰ্ববোৰ ঘিণ কৰোঁ, অগ্ৰাহ্য কৰোঁ; মই তোমালোকৰ ধৰ্ম-সভাবোৰত
আনন্দ নকৰোঁ। ২২ তোমালোকে মোৰ উদ্দেশ্যে তোমালোকৰ হোম-
বলি আৰু ভক্ষ্য নৈবেদ্য উৎসৰ্গ কৰিলেও মই সেইবোৰ গ্ৰহণ নকৰিম;
এনেকি তোমালোকে যদি হৃষ্টপুষ্ট পশুৰে মঙ্গলাৰ্থক বলিও দিয়া,
তথাপিও মই তালৈ দৃষ্টি নকৰিম। ২৩ তোমালোকৰ গানৰ কোলাহল
মোৰ পৰা দূৰ কৰা; মই তোমালোকৰ বীণাৰ শব্দ শুনিব নোখোজোঁ;
২৪ কিন্তু ন্যায়বিচাৰ পানীৰ নিচিনাকৈ আৰু ধাৰ্মিকতা অবিৰামে বৈ থকা
নদীৰ নিচিনাকৈ বৈ যাওঁক। ২৫ হে ইস্ৰায়েল-বংশ, মৰুপ্ৰান্তৰত চল্লিশ
বছৰ তোমালোকে মোৰ উদ্দেশ্যে জানো কোনো বলি আৰু নৈবেদ্য
আনিছিলা? ২৬ বৰং তোমালোকে নিজে নিৰ্মাণ কৰা তোমালোকৰ
ৰজা-দেৱতা চিক্কুত আৰু তৰা দেৱতা কিয়ুনৰ মূৰ্ত্তিক বৈ লৈ গৈছিলা।
২৭ সেয়ে, মই তোমালোকক দম্মেচকৰ সিফালে বন্দী হিচাবে লৈ
যাম।” মই বাহিনীগণৰ ঈশ্বৰ যিহোৱাই এই কথা কৈছে, যি জনৰ নাম
বাহিনীগণৰ ঈশ্বৰ।”

**৬** ধিক তোমালোক! তোমালোক যিসকল চিয়োনত নিচিন্তভাৱে আছা
আৰু চমৰিয়া পাহাৰত নিৰাপদে বাস কৰি আছা, যি সকলৰ ওচৰলৈ
ইস্ৰায়েল বংশৰ সকলো লোক সহায়ৰ বাবে আহে, তোমালোক
জাতিবোৰৰ প্ৰধানসকলৰ মাজত প্ৰসিদ্ধ লোক। ২ তোমালোকে
কলনিলৈ গৈ চোৱা; তাৰ পৰা হমাতলৈ যোৱা, তাৰ পাছত পলেষ্টীয়া
লোকসকলৰ গাত নগৰলৈ নামি যোৱা; সেই ৰাজ্যবোৰতকৈ

তোমালোকৰ এই দুই ৰাজ্য উত্তম নে? তোমালোকৰ সীমা, সেইবোৰৰ
সীমাতকৈ ডাঙৰ নে? ৩ তোমালোকে বেয়া দিনক দূৰ কৰি এক
অত্যাচাৰীৰ ৰাজত্বক ওচৰ চপাই আনিলা। ৪ যিসকলে হাতীদাঁতৰ
পালেঙত শয়ন কৰে আৰু তেওঁলোকৰ শয্যাত আৰামেৰে দীঘল দি
পৰে, জাকৰ পৰা মেৰ-ছাগ পোৱালি আৰু গোহালিৰ পৰা দামুৰি
ভোজন কৰে; ৫ যিসকলে বীণা বাদ্যেৰে অসাৰ্থক গীত গায়, দায়ুদৰ
নিচিনাকৈ বাদ্য-যন্ত্রত গীত ৰচনা কৰে, ৬ যিসকলে পাত্ৰবোৰৰ
পৰা দ্ৰাক্ষাৰস পান কৰে আৰু উত্তম সুগন্ধি তেলেৰে সৈতে নিজকে
অভিষেক কৰে, কিন্তু যোচেফৰ বিনষ্টৰ কাৰণে তেওঁলোকে দুখ নকৰে!
৭ গতিকে বন্দী হৈ অন্য দেশলৈ যাব লগা সকলৰ মাজত এইসকলেই
প্ৰথমে দেশান্তৰিত হ'ব; তেতিয়া ভোগবিলাসত আৰামেৰে থকাসকলৰ
চিঞৰ-বাখৰ নাইকিয়া হ'ব। ৮ বাহিনীসকলৰ ঈশ্বৰ প্ৰভু যিহোৱাই
নিজৰ নামেৰে শপত খাই কৈছে: “মই যাকোবৰ অহংকাৰ আৰু
তেওঁৰ দূৰ্গবোৰ ঘিণ কৰোঁ; সেই বাবে মই নগৰখন আৰু তাত থকা
সকলোবোৰ আনৰ হাতত সমৰ্পণ কৰিম।” ৯ তাতে এটা ঘৰত
দহজন লোক জীয়াই থাকিলেও, তেওঁলোকৰ মৃত্যু হ'ব। ১০ যেতিয়া
কোনোবাজনৰ আত্মীয়ই মৃতদেহ দাহ কৰিবৰ কাৰণে শৰটো ঘৰৰ
পৰা বাহিৰলৈ দাঙি লবলৈ আহিব আৰু তেওঁ ঘৰৰ একেবাৰে ভিতৰত
থকা কাৰোবাক “তোমাৰ লগত আন কোনোবা আছে নেকি” বুলি
জানিবলৈ সুধিব; তেতিয়া তেওঁ ক'ব, “নাই।” তাতে সেই আত্মীয়ই
ক'ব, “মনে মনে থাকা! আমি যিহোৱাৰ নাম উল্লেখ কৰিব নাপায়।”
১১ কিয়নো চোৱা, যিহোৱাই আজ্ঞা দিব, ডাঙৰ ডাঙৰ ঘৰ ভাঙি চূৰমাৰ
হ'ব আৰু সৰু সৰু ঘৰ টুকুৰা-টুকুৰ কৰা হ'ব। ১২ ঘোঁৰাবোৰে জানো
খলাবমা শিলনিত লৰ মাৰিব পাৰে? কোনোৱে জানো তাত বলদেৰে
হাল বাব পাৰে? কিন্তু তোমালোকে ন্যায়বিচাৰক বিহলৈ পৰিণত
কৰিলা আৰু ধাৰ্মিকতাৰ ফলক তিতা ফাললৈ পৰিবৰ্ত্তন কৰিলা।
১৩ তোমালোকে লো-দেবাৰত ব্যৰ্থ আনন্দ কৰিছা; তোমালোকে
কোৱা, “আমি জানো নিজৰ শক্তিৰে কাৰ্নয়িম অধিকাৰ কৰা নাই?”
১৪ বাহিনীসকলৰ যিহোৱাই কৈছে, “হে ইস্রায়েল-বংশ, চোৱা মই

তোমালোকৰ বিৰুদ্ধে এক জাতিক উঠাম; সেই জাতিয়ে লিবো হমাতৰ
পৰা অৰাবাৰ উপত্যকা পৰ্যন্ত তোমালোকৰ ওপৰত উপদ্ৰৱ কৰিব।”

**৭** প্ৰভু যিহোৱাই মোক এই দৰ্শন দেখুৱালে: “চোৱা, যেতিয়া দ্বিতীয়বাৰ
শস্য বাঢ়িবলৈ আৰম্ভ কৰিলে, সেই সময়ত তেওঁ কাকতি ফৰিংবোৰ
সৃষ্টি কৰিছিল। ৰজাই প্ৰথম শস্য দোৱাৰ পাছত এইটো আছিল
দ্বিতীয় শস্যৰ খেতি। ২ সেই কাকতি ফৰিংবোৰে যেতিয়া দেশৰ
সকলো সেউজীয়া শাক-পাচলি খাই শেষ কৰি পেলাইছিল, তেতিয়া
মই মিনতি কৰিলোঁ, “হে প্ৰভু যিহোৱা, অনুগ্ৰহ কৰি ক্ষমা কৰক;
যাকোব নো কেনেকৈ জীয়াই থাকিব? তেওঁ যে অতি সৰু।” ৩ তেতিয়া
যিহোৱাই এই বিষয়ত মন সলনি কৰি ক'লে, “এইদৰে নঘটিব।” ৪
প্ৰভু যিহোৱাই মোক এইদৰে দৰ্শন দিলে: যিহোৱা ঈশ্বৰে বিচাৰৰ
অৰ্থে অগ্নিক মাতিলে। সেই অগ্নিয়ে মহাসমুদ্ৰক শুকুৱাই পেলালে
আৰু ভূমিকো গ্ৰাস কৰিবলৈ ধৰিলে। ৫ তেতিয়া মই কলোঁ, “হে প্ৰভু
যিহোৱা, “মই অনুৰোধ কৰিছোঁ, আপুনি ক্ষান্ত হওঁক, যাকোব নো
কেনেকৈ জীয়াই থাকিব? তেওঁ যে অতি সৰু।” ৬ তেতিয়া যিহোৱাই
এই বিষয়ত মন সলনি কৰি ক'লে, “এইদৰে নঘটিব।” ৭ তেওঁ
মোক পুনৰ এটা দৰ্শন দিলে: প্ৰভুৱে এডাল ওলোম-জৰী হাতত লৈ,
ওলোমৰ জোখ লৈ তৈয়াৰ কৰা এটা দেৱালৰ ওচৰত থিয় হৈ আছিল।
৮ যিহোৱাই মোক ক'লে, “হে আমোচ, তুমি কি দেখিছা?” তেতিয়া মই
কলোঁ, “এডাল ওলোম জৰী দেখিছোঁ।” তেতিয়া প্ৰভুৱে ক'লে, “চোৱা,
মই মোৰ প্ৰজা ইস্ৰায়েলৰ মাজত এডাল ওলোম-জৰী ৰাখিছো।”
তেওঁলোকক মই আৰু কেতিয়াও ক্ষমা নকৰিম। ৯ ইচহাকৰ বংশৰ ওখ
ঠাইৰ মঠবোৰ ধ্বংস হ'ব আৰু ইস্ৰায়েলৰ পূণ্যধামবোৰ উচ্ছন্ন হ'ব;
মই তৰোৱাল লৈ যাৰবিয়ামৰ বংশৰ বিৰুদ্ধে উঠিম।” ১০ তাৰ পাছত
বৈৎএলৰ পুৰোহিত অমচিয়াই ইস্ৰায়েলৰ ৰজা যাৰবিয়ামৰ ওচৰলৈ
এই খবৰ কৈ পঠালে: “ইস্ৰায়েলৰ বংশৰ মাজত আপোনাৰ বিৰুদ্ধে
আমোচে চক্ৰান্ত কৰিছে; দেশৰ লোকসকলে তেওঁৰ কোনো কথা
সহিব পৰা নাই। ১১ আমোচে এই কথা কৈছে: ‘যাৰবিয়াম তৰোৱালৰ
আঘাতৰ দ্বাৰাই মৃত্যু হ'ব; ইস্ৰায়েলে অৱশ্যেই নিজ দেশৰ পৰা বন্দী

হৈ আন দেশলৈ যাব লাগিব'।" ১২ অমচিয়াই আমোচক ক'লে, "হে
ভাৱবাদী, যোৱা! তুমি ইয়াৰ পৰা যিহূদা দেশলৈ গুচি যোৱা। তাতেই
ভাৱবাদী হিচাবে জীৱিকা উলিওৱা আৰু তাতেই ভাৱবাণী প্ৰচাৰ কৰা।
১৩ কিন্তু বৈৎএলত হলে পুনৰ ভাৱবাণী প্ৰচাৰ নকৰিবা; কিয়নো এই
ঠাই ৰজাৰ পুণ্যধাম আৰু এক ৰাজকীয় মন্দিৰ।" ১৪ তেতিয়া আমোচে
উত্তৰ দি অমচিয়াক ক'লে, "মই ভাববাদীও নহওঁ নাইবা ভাববাদীৰ
শিষ্যও নহওঁ। মই এজন পশু-ৰখীয়া আৰু ডিমৰু গছবোৰৰ ফল সংগ্ৰহ
কৰোঁতা আছিলোঁ। ১৫ যিহোৱাই মোক মেৰ-ছাগৰ জাক চৰোৱা কাৰ্যৰ
পৰা আনি মোক ক'লে, 'তুমি যোৱা আৰু মোৰ ইস্রায়েলৰ লোকসকলৰ
আগত গৈ ভাৱবাণী প্ৰচাৰ কৰা'। ১৬ তেনেহ'লে এতিয়া আপুনি
যিহোৱাৰ বাক্য শুনক; আপুনি কৈছে, 'ইস্রায়েলৰ বিৰুদ্ধে ভাৱবাণী
প্ৰচাৰ নকৰিবা আৰু ইচহাকৰ বংশৰ বিৰুদ্ধেও প্ৰচাৰ নকৰিবা।' ১৭
সেইবাবে যিহোৱাই এই কথা কৈছে: 'তোমাৰ ভাৰ্যা নগৰখনৰ মাজত
বেশ্যা হ'ব, তোমাৰ ল'ৰা-ছোৱালী তৰোৱালৰ দ্বাৰাই পতিত হ'ব,
তোমাৰ মাটি জুখি জুখি আনৰ মাজত ভগাই দিয়া হ'ব; তুমি নিজেও
এক অশুচি দেশত মৰিবা, ইস্রায়েলক নিজ দেশৰ পৰা দেশান্তৰিত
হ'ব'।"

**৮** প্ৰভু যিহোৱাই, মোক পুনৰ এটা দৰ্শন দেখুৱালে: তেওঁ মোক
এপাচি পকা ফল দেখুৱালে। ২ তেওঁ ক'লে, "আমোচ তুমি কি
দেখা পাইছা?" মই কলোঁ, "এপাচি পকা ফল।" তেতিয়া যিহোৱাই
মোক ক'লে, "মোৰ প্ৰজা ইস্রায়েলৰ শেষ সময় উপস্থিত হৈছে: মই
তেওঁলোকক কেতিয়াও পুনৰ ক্ষমা নকৰিম। ৩ প্ৰভু যিহোৱাই কৈছে,
"সেইদিনা ৰাজকীয়-মন্দিৰৰ গানবোৰ বিলাপৰ ধ্বনি হ'ব; মৰা-শৱ
অনেক হ'ব; সেইবোৰ নীৰৱে পেলোৱা হ'ব। "মনে মনে থাকা!"
৪ তোমালোক যিসকলে দৰিদ্ৰক ভৰিৰে গছকা আৰু দুখীয়াক নাশ
কৰিছা, তোমালোকে এই কথা শুনা। ৫ তোমালোকে কোৱা যে, "ন-
জোনৰ উৎসৱ কেতিয়া শেষ হ'ব? "আমি পুনৰ শস্য বিক্ৰী কৰিবৰ
বাবে, বিশ্ৰাম-দিন কেতিয়া শেষ হ'ব? আমি বজাৰত ঘেহুঁ বিক্ৰী
কৰিবৰ বাবে, আমি ঐফা সৰু কৰিম, চেকেল বঢ়াম, আৰু অন্যায়ৰ

তুলাচনী ব্যৱহাৰ কৰি প্ৰবঞ্চনা কৰিম। ৬ ৰূপৰ বিনিময়ত দৰিদ্ৰক
আৰু এযোৰ জোতাৰ বিনিময়ত অভাৱীক কিনি ল'ম। সাৰি পেলাই
দিয়া ঘেহুঁ বিক্ৰী কৰিম।" ৭ যাকোবৰ গৌৰৱৰ নামেৰে যিহোৱাই
শপত খাই কৈছে, "মই নিশ্চয়ে তেওঁলোকে যি কাৰ্যবোৰ কৰিছে, তাৰ
এটিকো কেতিয়াও নাপাহৰিম।" ৮ ইয়াৰ বাবে জানো দেশ নকঁপিব?
তাৰ মাজত বাস কৰা সকলোৱে জানো বিলাপ নকৰিব? গোটেই
দেশখন নীল নদীৰ বন্যাৰ দৰে ওফন্দি উঠিব, অশান্ত হ'ব আৰু পুনৰ
নামি যাব, ঠিক মিচৰৰ নদীখনৰ নিচিনাই হ'ব। ৯ প্ৰভু যিহোৱাই
এই কথা কৈছে: "সেই দিনা মই দুপৰীয়াতে সূৰ্যক অস্ত যাবলৈ দিম,
দুপৰীয়াই পৃথিৱীক অন্ধকাৰ কৰিম। ১০ মই তোমালোকৰ উৎসৱবোৰ
শোকলৈ আৰু তোমালোকৰ সকলো গান বিলাপলৈ পৰিণত কৰিম;
তোমালোক সকলোৰে কঁকালত শোকবস্ত্ৰৰ চট পিন্ধাম, প্ৰত্যেকৰ মূৰ
টকলা হ'ব; একেটি পুত্ৰৰ বিয়োগৰ শোকৰ দৰে মই সেই সময়ক
শোকলৈ পৰিণত কৰিম, আৰু শেষলৈকে এই তিক্ততাৰ দিন চলি
থাকিব। ১১ প্ৰভু যিহোৱাই এই কথা কৈছে: "চোৱা, এনে দিন আহিছে,
যেতিয়া মই দেশৰ মাজলৈ দুৰ্ভিক্ষ পঠাম; লোকে তেতিয়া অন্নৰ বাবে
ক্ষুধিত অথবা পানীৰ বাবে তৃষ্ণাতুৰ নহ'ব। কিন্তু যিহোৱাৰ বাক্য
শুনাৰ বাবে আকাল হ'ব। ১২ লোকসকলে যিহোৱাৰ বাক্য বিচাৰি মৰু
সাগৰৰ পৰা ভূমধ্য সাগৰলৈকে আৰু উত্তৰৰ পৰা পূবলৈকে ভ্ৰমণ কৰি
ইফালে সিফালে ঘূৰি ফুৰিব। কিন্তু তাক নাপাব। ১৩ সেই সময়ত
সুন্দৰী যুৱতী আৰু সুন্দৰ যুৱকসকল পিয়াহত মূৰ্চ্ছা যাব। ১৪ যিসকলে
চমৰিয়াৰ পাপৰ শপত খাই কয়, 'হে দান, তোমাৰ জীৱন্ত দেৱতাৰ
শপত' নাইবা কয়, 'বেৰ-চেবাৰ দেৱতাৰ শপত' তেওঁলোক পতিত
হ'ব; পুনৰায় কেতিয়াও নুঠিব।

**৯** মই প্ৰভুক বেদীৰ ওচৰত থিয় হৈ থকা দেখিলোঁ। প্ৰভুৱে ক'লে,
"স্তম্ভবোৰৰ শীৰ্ষস্থানত আঘাত কৰা যাতে তাৰ ভেঁটিবোৰ কঁপি
উঠে। সেই ঠাইৰ সকলো লোকৰ মূৰৰ ওপৰত যাতে সেইবোৰ
ডোখৰ ডোখৰকৈ ভাঙি পৰে আৰু যি সকল জীয়াই থাকিব, মই
তেওঁলোকক তৰোৱালেৰে বধ কৰিম; তেওঁলোকৰ মাজৰ এজনেও

পলাই যাব নোৱাৰিব; তেওঁলোকৰ মাজৰ এজনেও সাৰিব নোৱাৰিব।
২ তেওঁলোকে চিয়োলৰ গভীৰ পৰ্যন্তলৈ গাত খান্দি গ'লেও, মোৰ হাতে
তাৰ পৰা তেওঁলোকক উলিয়াই আনিব। তেওঁলোকে আকাশ পৰ্যন্ত
উঠিলেও, তাৰ পৰা মই তেওঁলোকক নমাই আনিম। (Sheol h7585) ৩
তেওঁলোকে কৰ্মিল পাহাৰৰ চূড়াত নিজকে লুকুৱাই ৰাখিলেও, তাৰ
পৰা মই তেওঁলোকক বিচাৰি উলিয়াই ধৰি আনিম; তেওঁলোকে মোৰ
দৃষ্টিৰ পৰা সাগৰৰ তলত গৈ লুকালেও, সেই ঠাইত তেওঁলোকক
দংশন কৰিবলৈ মই নাগক আজ্ঞা দিম, তাতে সি তেওঁলোকক দংশন
কৰিব। ৪ শত্রুবোৰৰ দ্বাৰা তেওঁলোক বন্দী হৈ আন দেশলৈ গলেও,
সেই ঠাইতো মই তেওঁলোকক বধ কৰিবলৈ তৰোৱালক আজ্ঞা দিম।
মঙ্গলৰ কাৰণে নহয়, কিন্তু অমঙ্গলৰ কাৰণেহে মই তেওঁলোকৰ
ওপৰত মোৰ দৃষ্টি ৰাখিম। ৫ বাহিনীসকলৰ প্ৰভু যিহোৱাই দেশখনক
চুলে, দেশ পমি যায়; তাত বাস কৰা সকলোৱে শোক কৰে। তেওঁৰ
স্পৰ্শত গোটেই দেশ মিচৰৰ নীল নদীৰ দৰে বন্যাত ওফন্দি উঠে,
তাৰ পাছত পুণৰায় নামি যায়। ৬ তেওঁ আকাশ-মণ্ডলত নিজৰ উচ্চ
কোঁঠালিবোৰ সাজিলে, আৰু পৃথিৱীৰ ওপৰত নিজৰ চন্দ্ৰতাপৰ দৰে
আকাশ স্থাপন কৰিলে। তেওঁ সমুদ্ৰৰ জলক আহ্বান কৰি ভুমিৰ ওপৰত
ঢালি দিয়ে। যি জনাই এই সকলো কৰে, তেওঁৰ নাম যিহোৱা। ৭
যিহোৱাই কৈছে, "হে ইস্ৰায়েলৰ লোকসকল, তোমালোক জানো
মোৰ ওচৰত কুচীয়া লোকসকলৰ নিচিনা নোহোৱা? মই জানো
মিচৰ দেশৰ পৰা ইস্ৰায়েলক, কপ্তোৰৰ পৰা পলেষ্টীয়াসকলক আৰু
কীৰৰ পৰা অৰামীয়াসকলক জানো উলিয়াই অনা নাই? ৮ চোৱা,
প্ৰভু যিহোৱাৰ দৃষ্টি অৱশ্যেই এই পাপপূৰ্ণ ৰাজ্যৰ ওপৰত আছে।
পৃথিৱীৰ পৰা মই তাক উচ্ছন্ন কৰিম। তথাপিও মই যাকোবৰ বংশক
সম্পূৰ্ণকৈ ধ্বংস নকৰিম। ৯ মই এক আজ্ঞা দিম, চালনীত যেনেকৈ
শস্য চলা হয়, তেনেকৈ সকলো জাতিৰ মাজত মই ইস্ৰায়েল বংশক
চালিম; কিন্তু শস্যৰ এটা ধানো মাটিত নপৰিব। ১০ মোৰ প্ৰজাসকলৰ
সকলো পাপীলোকে কয়, "অমঙ্গলে আমাক ঢুকি নাপাব নাইবা আমাৰ
ওচৰলৈ নাহিব; তেওঁলোক সকলোৱে মৃত্যু তৰোৱালৰ দ্বাৰাই হ'ব।

১১ যিহোৱাই কৈছে, “সেই দিনা মই দায়ুদৰ পৰি যোৱা পঁজাটো
পুনৰায় তুলিম; মই তাৰ ভাঙি যোৱা ফাটবোৰ মেৰামতি কৰিম,
ধ্বংসস্থানবোৰ ঠিক কৰিম, তাক আগৰ নিচিনাকৈ পুনৰায় গঢ়িম;
১২ যাতে ইস্রায়েলে ইদোমৰ বাকী অংশ আৰু মোৰ নামেৰে প্ৰখ্যাত
হোৱা সকলো জাতিবোৰৰ দেশ অধিকাৰ কৰিব পাৰে।” যি জনে
এই সকলো কাৰ্য কৰে, সেই জন ঈশ্বৰ যিহোৱাই এই কথা ঘোষণা
কৰিছে। ১৩ যিহোৱাই পুনৰ কৈছে, “চোৱা, সেই দিনবোৰ নিশ্চয়ে
আহিব, যেতিয়া হালোৱাই শস্য দোৱাজনক অতিক্ৰম কৰি আগবাঢ়িব;
দ্ৰাক্ষাগুটি গচকাজনে গুটি বোৱাজনক লগ ধৰি অতিক্ৰম কৰি যাব;
পৰ্ব্বতবোৰৰ পৰা মিঠা দ্ৰাক্ষাৰস জৰি জৰি পৰিব, আৰু সেইবোৰে
সকলো উপ-পৰ্ব্বতবোৰক ধুই লৈ যাব। ১৪ বন্দী অৱস্থাত থকা
মোৰ লোক ইস্রায়েলীয়াসকলক মই পুনৰ ঘূৰাই আনিম; তেওঁলোকৰ
ধ্বংস হোৱা নগৰবোৰ পুনৰায় সাজিব আৰু সেইবোৰত বাস কৰিব;
তেওঁলোকে আঙুৰ খেতি কৰি দ্ৰাক্ষাৰস পান কৰিব; তেওঁলোকে বাৰী
পাতি তাৰ ফল ভোগ কৰিব; ১৫ মই ইস্রায়েলীয়া সকলক তেওঁলোকৰ
দেশত ৰুম, যি দেশ মই তেওঁলোকক দিছোঁ, তাৰ পৰা তেওঁলোকক
কেতিয়াও পুনৰ উঘলা নহব।” এই কথা তোমালোকৰ ঈশ্বৰ যিহোৱাই
কৈছে।

# ওবাদিয়া

১ ওবদিয়াৰ দৰ্শন। প্ৰভু যিহোৱাই ইদোমৰ বিষয়ে চিন্তা কৰি ক'লে:
আমি যিহোৱাৰ পৰা বাৰ্ত্তা শুনিলোঁ, আৰু দেশীবাসীৰ মাজলৈ এজন
ৰাজদূত পঠালোঁ। তেওঁ কৈছিল, "উঠা, তেওঁৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ
তোমালোক উঠা।" ২ চোৱা, মই তোমাক দেশীবাসীৰ মাজত সৰু
কৰিম; আৰু তোমাক অতিশয় হেয়জ্ঞান কৰা হ'ব। ৩ উচ্চস্থানত শিলৰ
গুহাত বাস কৰা জনৰ মনৰ অহংকাৰে তেওঁক প্ৰবঞ্চনা কৰিলে।
কোনে তোমাৰ মনত কয়, "কোনে মোক মাটিলৈ নমাব?" ৪ যিহোৱাই
কৈছে, তুমি ঈগল পক্ষীৰ দৰে ওপৰলৈ উৰিলেও, আৰু তোমাৰ বাহ
তৰাবোৰৰ মাজত স্থাপিত হ'লেও, মই তাৰ পৰা তোমাক নমাই
আনিম। ৫ তোমাৰ ওচৰলৈ যদি ৰাতি চোৰ বা ডকাইত আহে,
তেনেহ'লে (তোমাক কিদৰে উচ্ছন্ন কৰা হৈছে!) তেওঁলোকে কেৱল
নিজৰ বাবে যথেষ্ট পৰিমাণে চুৰ কৰিব নে? যদি তোমাৰ ওচৰলৈ
দ্ৰাক্ষাগুটি চাপোৱাসকল আহে তেনেহ'লে তেওঁলোকে সংগ্ৰহ কৰা
দ্ৰাক্ষাগুটিৰ অৱশিষ্ট নাৰাখিব নে? ৬ এচৌৰ সম্পত্তি কেনেকৈ লুট
কৰা হৈছিল, আৰু তেওঁৰ গুপ্ত ধনবোৰ কেনেকৈ অনুসন্ধান কৰি
উলিওৱা হৈছিল! ৭ তোমাৰ সৈতে সমন্ধ স্থাপন কৰা লোকসকলে
তোমাক নিজৰ বাটে সীমালৈকে পঠিয়াব। তোমাৰ সৈতে মিলেৰে থকা
লোকসকলে তোমাক প্ৰবঞ্চনা কৰিলে, আৰু তোমাৰ বিৰুদ্ধে অধিক
প্ৰভাৱশীল হ'ল। তোমাৰ আহাৰ খোৱা লোকসকলে তোমাৰ বাবে
ফান্দ পাতে। ইদোমৰ একো বিবেচনা শক্তি নাই। ৮ যিহোৱাই কৈছে,
সেই দিনা মই ইদোমৰ জ্ঞানী লোকসকলক ধ্বংস নকৰিম নে, আৰু
এচৌৰ পৰ্ব্বতৰ পৰা বিবেচনা দূৰ নকৰিম নে? ৯ হে তৈমন, তোমাৰ
লোকসকল আতঙ্কিত হ'ব, সেয়ে সকলো লোকক এচৌৰ পৰ্ব্বতৰ
পৰা হত্যা কৰাৰ দ্বাৰাই উচ্ছন্ন কৰা হ'ব। ১০ তোমাৰ ভাই যাকোবক
কৰা অত্যাচাৰৰ বাবে তুমি লাজত পৰিবা, আৰু তুমি সৰ্বকালৰ বাবে
উচ্ছন্ন হবা। ১১ সেই দিনা তুমি আঁতৰি থাকিবা, আৰু অচিনাকী
লোকে তেওঁৰ ধন-সম্পত্তি লৈ যাব। বিদেশীসকলে তেওঁৰ দুৱাৰত
প্ৰবেশ কৰি, যিৰূচালেমৰ বাবে চিঠি খেলাব, আৰু তেওঁলোকৰ দৰে

তুমিও এজন হ’বা। ১২ কিন্তু তোমাৰ ভায়েৰাৰ বিপদৰ সময়ত তুমি
নাহাঁহিবা। যিহূদাৰ লোকসকলৰ বিনাশৰ দিনত তেওঁলোকৰ ওপৰত
আনন্দ নকৰিবা; আৰু তেওঁলোকৰ যন্ত্ৰনাৰ দিনত গৰ্ব্ব নকৰিবা। ১৩
তুমি মোৰ লোকসকলৰ দুৰ্যোগৰ সময়ত তেওঁলোকৰ নগৰৰ দুৱাৰত
নোসোমাবা; এনে কি, তেওঁলোকৰ বিপদৰ সময়ত তেওঁলোকৰ
ক্লেশত উল্লাসিত নহ’বা। তেওঁলোকৰ ধ্বংসৰ সময়ত তেওঁলোকৰ
ধন-সম্পত্তি লুট নকৰিবা। ১৪ তুমি পলাতক লোকসকলক উচ্ছন্ন
কৰিবলৈ চাৰিআলিত থিয় নহবা, আৰু যন্ত্ৰণাৰ সময়ত তেওঁৰ অৱশিষ্ট
লোকসকলক শোধাই নিদিবা। ১৫ যিহোৱাৰ দিন দেশবাসী সকলৰ
বাবে ওচৰ চাপিছে। তুমি কৰাৰ দৰেই, তোমালৈ কৰা হ’ব, আৰু
তুমি কৰা কাৰ্যৰ প্ৰতিফল তোমাৰ মূৰত পৰিব। ১৬ কাৰণ মোৰ
পবিত্ৰ পৰ্ব্বতত তোমালোকে পান কৰাৰ দৰে, সকলো দেশবাসী
সকলে অবিৰাম পান কৰিব। তেওঁলোকে পান কৰিব আৰু গিলিব,
আৰু তেওঁলোকে কেতিয়াও খাবলৈ নোপোৱাৰ দৰে খাব। ১৭ কিন্তু
ৰক্ষা পোৱাসকল চিয়োন পৰ্ব্বতত থকিব, আৰু সেয়ে পবিত্ৰ হ’ব; আৰু
যাকোবৰ বংশই তেওঁলোকৰ নিজৰ সম্পত্তি অধিকাৰ কৰিব। ১৮
যাকোবৰ বংশ অগ্নি, আৰু যোচেফৰ বংশ অগ্নিশিখা, আৰু এচৌৰ
বংশ নৰাৰ দৰে হ’ব; আৰু তেওঁলোকে সেইবোৰ জ্বলাব, আৰু গ্ৰাস
কৰিব। এচৌৰ বংশত কোনো অবশিষ্ট নাথাকিব; কাৰণ যিহোৱাই
ইয়াক কৈছিল। ১৯ আৰু দক্ষিণ অঞ্চলত লোকসকলে এচৌৰ পৰ্ব্বত
অধিকাৰ কৰিব, আৰু নিম্নভূমিৰ লোকসকলে পলেষ্টীয়াসকলৰ দেশ
অধিকাৰ কৰিব। তেওঁলোকে ইফ্ৰয়িমৰ আৰু চমৰিয়াৰ ভূমি অধিকাৰ
কৰিব; আৰু বিন্যামীনীয়া লোকসকলে গিলিয়দ অধিকাৰ কৰিব। ২০
ইস্ৰায়েলী লোকসকলৰ বন্দীত্বত থকা সৈন্য সমূহে কনানীয়াৰ পৰা
চাৰিফতলৈকে অধিকাৰ কৰিব; আৰু চাফৰদত থকা যিৰূচালেমৰ বন্দী
লোকসকলে দক্ষিণ অঞ্চলৰ নগৰবোৰ অধিকাৰ কৰিব। ২১ এচৌৰ
পৰ্ব্বতৰ বিচাৰ কৰিবলৈ উদ্ধাৰকৰ্ত্তাসকলে চিয়োন পৰ্ব্বতত উঠিব;
আৰু ৰাজ্য যিহোৱাৰ হ’ব।

# যোনা

১ অমিত্তয়ৰ পুত্ৰ যোনালৈ যিহোৱাৰ এই বাক্য আহিল; তেওঁ ক'লে ২
"তুমি উঠা, মহানগৰ নীনবিলৈ গৈ তাৰ বিৰুদ্ধে প্ৰচাৰ কৰা; কিয়নো
সিহঁতৰ দুষ্টতা মোৰ ওচৰ আহি পালে। ৩ কিন্তু যোনাই যিহোৱাৰ
সন্মুখৰ পৰা তৰ্চীচলৈ পলাই যাবৰ কাৰণে যাফোলৈ নামি গ'ল আৰু
তাত তৰ্চীচলৈ যোৱা এখন জাহাজ পালে। তেওঁ যিহোৱাৰ সন্মুখৰ
পৰা পলাই যাবলৈ জাহাজ খনত ভাড়া দি উঠিল আৰু তৰ্চীচলৈ যাত্ৰা
কৰিলে। ৪ কিন্তু যিহোৱাই সাগৰলৈ প্ৰবল বতাহ পঠিয়াই দিলে; তাতে
সাগৰত ভয়ঙ্কৰ ধুমুহা হ'ল আৰু জাহাজ খন ভাঙি যোৱাৰ উপক্ৰম
হ'ল। ৫ তেতিয়া নাবিকসকলৰ অতিশয় ভয় লাগিল আৰু সকলোৱে
নিজৰ নিজৰ দেৱতাৰ আগত চিঞঁৰি কাতৰোক্তি কৰিবলৈ ধৰিলে।
জাহাজৰ ওজন কমাবলৈ তেওঁলোকে জাহাজত থকা মালবস্তুবোৰ
সাগৰত পেলাই দিলে। কিন্তু যোনাই হ'লে জাহাজৰ তলৰ ফালে নামি
গৈ অন্তৰ্ভাগত শুই পৰিল আৰু তেওঁ ঘোৰ টোপনিত আছিল। ৬ তেতিয়া
জাহাজৰ অধিনায়ক জনে যোনাৰ ওচৰলৈ আহি ক'লে, "হেৰি! কি কৰি
আছে, আপুনি টোপনি গৈছে? উঠক, আৰু আপোনাৰ দেৱতাক মাতক!
কিজানি আপোনাৰ দেৱতাই আমালৈ মন মেলিব আৰু তেতিয়া হয়তো
আমাৰ বিনাশ নহ'ব।" ৭ তাৰ পাছত তেওঁলোকে এজনে আন জনক
ক'লে, "আমালৈ ঘটা এই অমঙ্গলৰ কাৰণে দোষী কোন, সেই বিষয়ে
জানিবৰ বাবে আহাঁ আমি চিঠি খেলোহঁক।" এইবুলি তেওঁলোকে চিঠি
খেলোতে, যোনাৰ নাম উঠিল। ৮ তেতিয়া তেওঁলোকে তেওঁক সুধিলে,
"কোন জনৰ দোষৰ বাবে আমালৈ এই অমংগল ঘটিছে, এই বিষয়ে
আপুনি আমাক দয়া কৰি কওক। আপোনাৰ জীৱিকা কি? আপুনি ক'ৰ
পৰা আহিছে? আপুনি কোন দেশৰ আৰু কোন জাতিৰ লোক?" ৯
তেতিয়া যোনাই তেওঁলোকক ক'লে, "মই এজন ইব্ৰীয়া; সাগৰ আৰু
ভূমিৰ সৃষ্টিকৰ্ত্তা স্বৰ্গৰ ঈশ্বৰ যিহোৱাক মই ভয় কৰোঁ।" ১০ যোনাই যে
যিহোৱাৰ সন্মুখৰ পৰা পলাই আহিছে, তেতিয়া লোকসকলে সেই
বিষয়ে জানিব পাৰিলে; কিয়নো তেওঁ সেই কথা তেওঁলোকক জনালে।
তেতিয়া লোকসকলে অধিককৈ ভয় খাই তেওঁক সুধিলে, "আপুনি

এয়া কি কৰিলে?” ১১ তেতিয়া তেওঁলোকে যোনাক সুধিলে, “এতিয়া
আমাৰ বাবে সমুদ্র শান্ত হ’বলৈ আমি আপোনাক লৈ কি কৰিম?”
কিয়নো সমুদ্রত তেতিয়া ধুমুহা ক্রমে তীব্রতৰ হ’বলৈ ধৰিছিল। ১২
তেতিয়া যোনাই তেওঁলোকক ক’লে, “মোক দাঙি সমুদ্রত পেলাই
দিয়ক, তেতিয়া আপোনালোকৰ বাবে সাগৰ শান্ত হ’ব; কিয়নো
মই জানো যে, মোৰ কাৰণেহে আপোনালোকৰ ওপৰলৈ এই প্রবল
ধুমুহা আহিছে।” ১৩ তথাপিও নাবিকসকলে সমুদ্রৰ তীৰ পাবৰ বাবে
পুণৰায় বৰকৈ বাই যাবলৈ ধৰিলে, কিন্তু তেওঁলোক সফল নহ’ল।
প্রচণ্ড ধুমুহা আৰু উত্তাল সমুদ্রৰ ঢৌ অধিক শক্তিশালী হৈ উঠিব
ধৰিলে। ১৪ এই হেতুকে তেওঁলোকে যিহোৱাৰ আগত কাতৰোক্তি
কৰি ক’লে, “আমি আপোনাক বিনয় কৰোঁ, হে যিহোৱা, আপোনাক
বিনয় কৰোঁ, এই মানুহৰ প্রাণৰ কাৰণে আমাক বিনষ্ট হ’বলৈ নিদিব
আৰু নির্দ্দোষীৰ ৰক্তপাতৰ কাৰণে আমাক দোষী নকৰিব; কিয়নো
হে যিহোৱা, আপুনিও আপোনাৰ ইচ্ছামতে কার্য কৰিছে।” ১৫ এই
বুলি কৈ তেওঁলোকে যোনাক দাঙি নি সাগৰত পেলাই দিলে, তেতিয়া
সমুদ্রৰ ভয়ানক মূর্তি নাইকিয়া হ’ল। ১৬ সেই লোকসকলে যিহোৱাক
অত্যন্ত ভয় কৰিলে, আৰু তেওঁলোকে যিহোৱাৰ উদ্দেশ্যে এটা বলি
উৎসর্গ কৰিলে আৰু তেওঁৰ ওচৰত সংকল্প কৰিলে। ১৭ আনফালে
যোনাক গিলি থবৰ কাৰণে যিহোৱাই এটা ডাঙৰ মাছ নিৰূপণ কৰি
থৈছিল আৰু সেই মাছৰ পেটত যোনা তিনিদিন তিনিৰাতি থাকিল।

২ যোনাই সেই মাছৰ পেটৰ পৰা নিজ ঈশ্বৰ যিহোৱাৰ আগত প্রার্থনা
কৰিলে। ২ তেওঁ ক’লে, “মই যিহোৱাক মোৰ কষ্টৰ বিষয়ে প্রার্থনাত
ক’লো; তাতে তেওঁ মোক উত্তৰ দিলে। চিয়োলৰ ভিতৰৰ পৰা মই
সহায়ৰ কাৰণে কাতৰোক্তি কৰিলোঁ আৰু আপুনি মোৰ স্বৰ শুনিলে।
(Sheol h7585) ৩ আপুনি মোক গভীৰ জলত সাগৰৰ মাজত পেলালে
আৰু মোক সাগৰৰ সোঁতে বেৰি ধৰিলে, আপোনাৰ আটাই ঢৌ
আৰু তৰঙ্গ মোৰ ওপৰেদি গ’ল। ৪ মই ক’লো, ‘আপোনাৰ দৃষ্টিৰ
পৰা মোক দূৰ কৰি দিলে; মই কেনেকৈ পুনৰ আপোনাৰ পবিত্র
মন্দিৰৰ ফালে দৃষ্টি কৰিম? ৫ জল সমূহে মোক গ্রাস কৰি প্রাণৰ

সংশয়লৈ লৈ গ’ল; অগাধ জলে মোক আগুৰি ধৰিলে; সাগৰৰ লতা-
বনবোৰে মোৰ মূৰ মেৰাই ধৰিলে। ৬ মই ডুবি গৈ পৰ্ব্বতবোৰৰ মূল
পৰ্যন্ত নামি গ’লোঁ; নিজৰ ডাংবোৰেৰে পৃথিৱীয়ে মোক চিৰকাললৈকে
আটক কৰিলে; কিন্তু, হে মোৰ ঈশ্বৰ যিহোৱা, আপুনি সেই গাতৰ
পৰা মোক উঠাই আনিলে। ৭ মোৰ প্ৰাণ যেতিয়া মোৰ অন্তৰত
ব্যাকুল হ’ল, মই যিহোৱাক সোঁৱৰণ কৰিলোঁ আৰু মোৰ প্ৰাৰ্থনা
আপোনাৰ ওচৰত আপোনাৰ পবিত্ৰ মন্দিৰত উপস্থিত হ’ল। ৮
যিসকলে অসাৰ দেৱতাবোৰক মানে, তেওঁলোকে আপোনাৰ যি
বিশ্বস্ততা, তাক অৱহেলা কৰে। ৯ কিন্তু মই হ’লে স্তুতি-ধন্যবাদেৰে
আপোনাৰ উদ্দেশ্যে বলি উৎসৰ্গ কৰিম; মই কৰা সংকল্প সিদ্ধ কৰিম;
পৰিত্ৰাণ যিহোৱাৰ পৰাই আহে!” ১০ পাছত যিহোৱাই মাছটোক আজ্ঞা
দিয়াত মাছটোৱে যোনাক বামত বমি কৰি উলিয়াই দিলে।

৩ তাৰ পাছত দ্বিতীয়বাৰৰ বাবে যিহোৱাৰ বাক্য যোনাৰ ওচৰলৈ
আহিল। ২ তেওঁ ক’লে, “তুমি উঠি সেই মহানগৰ নীনবিলৈ যোৱা আৰু
মই যি কথা তোমাক ক’বলৈ দিম, সেই কথা তাত ঘোষণা কৰিবা।” ৩
তেতিয়া যোনাই যিহোৱাৰ কথা অনুসাৰে নীনবিলৈ গ’ল। নীনবি এখন
অতি ডাঙৰ নগৰ আছিল; গোটেই নগৰখন ঘূৰিবলৈ তিনি দিনৰ সময়
লাগে। ৪ যোনাই সেই নগৰত সোমাই এদিনৰ বাট গ’ল আৰু এই
কথা ঘোষণা কৰিলে, “চল্লিশ দিনৰ পাছত নীনবি ধ্বংস হৈ যাব।” ৫
তেতিয়া নীনবিৰ লোকসকলে ঈশ্বৰক বিশ্বাস কৰিলে আৰু তাৰ কাৰণে
উপবাস ঘোষণা কৰিলে; ডাঙৰৰ পৰা সৰুলৈকে সকলোৱে চট্ কাপোৰ
পিন্ধিলে। ৬ শীঘ্ৰেই সেই খবৰ গৈ ৰজাৰ কাণত পৰিল। তেতিয়া তেওঁ
সিংহাসন এৰি উঠি আহিল আৰু গাৰ পৰা ৰাজবস্ত্ৰ সোলোকাই চট্
কাপোৰ পিন্ধি ছাঁইত বহিল। ৭ তাৰ পাছত তেওঁ নীনবিত তেওঁৰ আৰু
তেওঁৰ মন্ত্ৰীসকলৰ যোগেদি এই আদেশ ঘোষণা কৰালে: “মানুহ বা
পশু, গৰু বা মেৰ-ছাগৰ জাক কোনেও একো বস্তুৰ আস্বাদ নলওক;
আহাৰ কি পানী নাখাওঁক। ৮ মানুহ আৰু পশু সকলোৱে গাত চট্
কাপোৰ পিন্ধক আৰু ঈশ্বৰৰ আগত উচ্চ স্বৰেৰে কাতৰোক্তি কৰক।
প্ৰত্যেকে নিজ নিজ মন্দ পথৰ পৰা ঘূৰক আৰু হিংস্ৰতাৰ কাৰ্য এৰি

দিয়ক। ৯ কোনে জানে? হয়তো ঈশ্বৰে তেওঁৰ প্ৰচণ্ড ক্ৰোধৰ পৰা মন
ঘূৰাই কোমল হ'ব, আৰু তেতিয়া আমিও ধ্বংস হৈ নাযাম।" ১০ পাছত
তেওঁলোকে যি কৰিলে আৰু কেনেকৈ তেওঁলোকে নিজ নিজ মন্দ পথৰ
পৰা ঘূৰিলে, সেই বিষয়ে যেতিয়া ঈশ্বৰে দেখিলে, তেতিয়া তেওঁ নিজৰ
মন ঘূৰালে। তাতে তেওঁ যি শাস্তি দিব বুলি মনস্থ কৰিছিল, তাক তেওঁ
নকৰিলে।

**৪** সেয়ে যোনা অতিশয় অসন্তুষ্ট হ'ল আৰু ক্ৰোধিত হৈ পৰিল। ২
তেওঁ যিহোৱাৰ আগত প্ৰাৰ্থনা কৰি ক'লে, "হে যিহোৱা, মই নিজ
দেশত থাকোঁতেই ভাবিছিলো যে, এনেকুৱাই হ'ব। সেই কাৰণেই মই
প্ৰথমে তৰ্চীচলৈ পলাই গৈছিলোঁ; কিয়নো মই জানিছিলোঁ যে, আপুনি
কৃপালু ঈশ্বৰ, প্ৰেমেৰে পৰিপূৰ্ণ, ক্ৰোধত ধীৰ, দয়াত মহান আৰু ধ্বংস
কৰাৰ পৰা মন পৰিবৰ্তন কৰোঁতা। ৩ এতিয়া হে যিহোৱা, মিনতি
কৰোঁ, আপুনি মোৰ প্ৰাণ লওক; কিয়নো মই জীয়াই থকাতকৈ মৰি
যোৱাই ভাল।" ৪ তেতিয়া যিহোৱাই ক'লে, "তুমি খং কৰাটো জানো
উচিত হৈছে?" ৫ তাৰ পাছত যোনা নগৰখনৰ পৰা ওলাই গ'ল। তেওঁ
নগৰখনৰ পূবদিশে এটা আশ্ৰয় গৃহ সাজি তাৰ ছাঁয়াত বহিল আৰু
নগৰখনৰ কি দশা হ'ব, তাক চাবলৈ অপেক্ষা কৰি থাকিল। ৬ পাছত
ঈশ্বৰ যিহোৱাই এজোপা এৰাগছ নিৰূপণ কৰিলে আৰু যোনাই কষ্ট
নাপাবলৈ তেওঁৰ গাত ছাঁ পৰিবৰ বাবে মূৰৰ ওপৰলৈকে গছ পুলিতো
বঢ়ালে। সেই গছ জোপাৰ কাৰণে যোনা অতি আনন্দিত হ'ল। ৭
কিন্তু পাছদিনা অতি ৰাতিপুৱাতে ঈশ্বৰে এটা পোক পঠালে আৰু সেই
পোকটোৱে গছডাল কুটাত, গছডাল শুকাই গ'ল। ৮ পাছত সূৰ্যোদয়ৰ
সময়ত ঈশ্বৰে পূবৰ পৰা গৰম বতাহ বলিবলৈ দিলে; তাতে যোনাৰ
মূৰত এনেকৈ ৰ'দ পৰিল যে, তেওঁ অজ্ঞান হোৱাৰ দৰে হ'ল। তেতিয়া
যোনাই নিজৰ মৃত্যু বিচাৰি ক'লে, "মই জীয়াই থকাতকৈ মৰি যোৱাই
ভাল।" ৯ কিন্তু ঈশ্বৰে যোনাক ক'লে, "এৰা গছজোপাৰ কাৰণে খং
কৰি তুমি ভাল কৰিছা নে?" যোনাই ক'লে, "হয়, মই খং কৰি ভালেই
কৰিছোঁ, এনেকি মৃত্যু পৰ্যন্ত কৰিম।" ১০ তেতিয়া যিহোৱাই ক'লে,
"তুমি পৰিশ্ৰম নকৰা, নবঢ়োৱা, একে ৰাতিতে গজি একে ৰাতিতে মৰা

এৰাগছ জোপালৈ তোমাৰ মৰম লাগিল; ১১ কিন্তু যি নীনবিত সোঁহাত
আৰু বাওঁহাতৰ মাজৰ প্ৰভেদ নজনা একলাখ বিশ হাজাৰতকৈও
অধিক সন্তান আছে আৰু অনেক পশুও আছে; তেনেহ'লে মোৰ জানো
সেই মহানগৰ নীনবিলৈ দয়া নালাগিব?”

# মিখা

১ যিহূদাৰ ৰজা যোথম, আহজ, আৰু হিষ্কিয়াৰ ৰাজত্বৰ সময়ত
চমৰিয়া আৰু যিৰূচালেমৰ বিষয়ে দৰ্শনত পোৱা, মোৰেষ্টিয়া মীখালৈ
অহা যিহোৱাৰ বাক্য। ২ হে লোকসকল, সকলোৱে শুনক। হে পৃথিৱী
আৰু তাত থকা সকলোৱে শুনক। প্ৰভু যিহোৱা নিজৰ পবিত্ৰ মন্দিৰৰ
পৰা আপোনালোকৰ বিৰুদ্ধে সাক্ষী হওক; ৩ চাওক, যিহোৱা নিজৰ
স্থানৰ পৰা ওলাই আহিছে; তেওঁ নামি আহিব আৰু পৃথিবীত থকা মুৰ্ত্তি
পূজা কৰা মন্দিৰবোৰ ধ্বংস কৰিব। ৪ জুইৰ তাপত মম গলাৰ দৰে
পৰ্ব্বতবোৰ তেওঁৰ আগত পমি যাব, এঢলীয়া ঠাইৰ পৰা যেনেকৈ পানী
ঢালিলে তললৈ বৈ আহে তেনেকৈ তেওঁৰ আগত উপত্যকাবোৰ ভাঙি
ছিন্ন ভিন্ন হৈ যাব। ৫ যাকোবৰ বিদ্ৰোহ, আৰু ইস্ৰায়েল-বংশৰ পাপৰ
কাৰণেই এই সকলো হ'ব; যাকোবৰ বিদ্ৰোহৰ কাৰণ কি আছিল?
চমৰিয়া নহয়নে নে? যিহূদাৰ মন্দিৰবোৰৰ কাৰণ কি? যিৰূচালেম
নহয় নে? ৬ মই পথাৰত চমৰিয়াক দ্ৰাক্ষাবাৰীত গছ ৰোৱা ঠাইৰ দৰে,
ধ্বংস স্তূপ কৰিম। মই তেওঁৰ গৃহৰ শিলবোৰ উপত্যকালৈ বগৰাই
পেলাম, মই তেওঁৰ ভিত্তিমূল অনাবৃত কৰিম। ৭ তেওঁৰ সকলো কটা-
মূৰ্ত্তিবোৰ ভাঙি ডোখৰ ডোখৰ কৰা হ'ব, আৰু তেওঁৰ সকলো উপহাৰ
জুইৰে পোৰা যাব। তেওঁৰ সকলো প্ৰতিমাবোৰ মই উচ্ছন্ন কৰিম;
কাৰণ তেওঁ বেশ্যাবৃত্তিৰ পৰা সেই সকলো উপহাৰৰ গোটাইছিল,
আৰু বেশ্যাই পৰিশোধ কৰাৰ দৰে, তেওঁলোকে ঘূৰাই দিব।" ৮ এই
কাৰণে মই বিলাপ আৰু ক্ৰন্দন কৰি চিঞৰিম; মই খালি ভৰি আৰু
বিবস্ত্ৰ হৈ যাম; মই শিয়ালৰ দৰে চিঞৰিম, আৰু ফেঁচাৰ দৰে শোক
প্ৰকাশ কৰিম। ৯ তেওঁৰ ঘাঁবোৰ সুস্থ হ'ব নোৱাৰাৰ কাৰণে; সেইবোৰ
যিহূদালৈকে আহিল। সেই ঘাঁবোৰ যিৰূচালেমলৈ মোৰ লোকসকলৰ
দুৱাৰলৈ আহি পালে। ১০ গাত নগৰত এই বিষয়ে নকবা, আৰু
একেবাৰে নাকান্দিবা, বৈৎলি-অফ্ৰাত মই নিজকে ধূলিত বাগৰাম। ১১
বিবস্ত্ৰ আৰু লজ্জিত হৈ চাফীৰৰ নিবাসী সকলৰ মাজেৰে যোৱা। চাননৰ
নিবাসী সকল বাহিৰলৈ ওলাই নাহিল। তেওঁলোকৰ ৰক্ষণাবেক্ষণ
বঞ্চিত কৰাৰ বাবে বৈৎ-এচেলে বিলাপ কৰিলে। ১২ কাৰণ মাৰোৎ

নিবাসী সকলে শুভ সম্বাদৰ বাবে আগ্ৰহেৰে অপেক্ষা কৰি আছিল,
কিন্তু যিৰূচালেমৰ দুৱাৰলৈ, যিহোৱাৰ পৰা দুৰ্যোগ নামি আহিল। ১৩
লাখীচ নিবাসী সকলৰ ঘোঁৰাৰ দলত ৰথ লগোৱা; চিয়োন জীয়াৰী
বাবে লাখীচেই পাপৰ আৰম্ভণ; কিয়নো ইস্রায়েলৰ অধৰ্ম কাৰ্যবোৰ
তোমাৰ মাজত পোৱা গল। ১৪ সেয়ে আপুনি মোৰেচৎ-গতক বিদায়
উপহাৰ দিব; ইস্রায়েলৰ ৰজাসকলক অকজীবৰ নগৰে নিৰাশ কৰিব।
১৫ মাৰেচা-নিবাসী সকলক মই আপোনাৰ ওচৰলৈ আনিম, তাৰে
এজনে আপোনাৰ অধিকাৰ ল'ব; ইস্রায়েলৰ মূখ্য লোকসকল অদুল্লমৰ
গুহালৈকে যাব। ১৬ চুলি কাটক, আৰু মূৰ খুৰাওক। যি সন্তান সকলৰ
কাৰণে আপুনি আনন্দ কৰে; ঈগল চৰাইৰ দৰে নিজকে টপা কৰক;
কাৰণ আপোনাৰ সন্তান সকল আপোনাৰ পৰা বহিষ্কৃত হ'ব।

২ যিবোৰে নিজৰ নিজৰ শয্যাত অধৰ্ম কল্পনা কৰে, আৰু কুকৰ্ম
চিন্তা কৰে, তেওঁলোকৰ সন্তাপ হ'ব। ৰাতিপুৱাৰ পোহৰত তেওঁলোকে
এইবোৰ কৰে; কাৰণ তেওঁলোকৰ ক্ষমতা আছে। ২ তেওঁলোকে
পথাৰলৈ লোভ কৰে আৰু সেইবোৰ কাঢ়ি লয়, আৰু তেওঁলোকে
ঘৰবোৰলৈ লোভ কৰে আৰু সেইবোৰ দখল কৰি লয়; এইদৰে
তেওঁলোকে মানুহ আৰু তেওঁলোকৰ ঘৰ, মানুহ আৰু তেওঁলোকৰ
উত্তৰাধিকাৰিক অত্যাচাৰ কৰে। ৩ সেই কাৰণে যিহোৱাই এই কথা
কৈছে: "চোৱা, মই এই জাতিৰ বিৰুদ্ধে দুৰ্যোগ আনিম, সেই দুৰ্যোগৰ
পৰা তোমালোকে নিজৰ ডিঙি গুচাব নোৱাৰিবা, আৰু তোমালোক
গৰ্ব্বেৰে চলিব নোৱাৰিবা, কাৰণ এয়া অমঙ্গলৰ সময়। ৪ সেই দিনা
তোমাৰ শত্ৰুসকলে বিলাপৰ কৰি ক্ৰন্দনেৰে তোমাৰ বিষয়ে এটি গীত
গাব, তেওঁলোকে গাব, 'আমি ইস্রায়েলীসকল সম্পূৰ্ণৰূপে ধ্বংস হলোঁ;
যিহোৱাই মোৰ লোকসকলৰ অঞ্চল সলনি কৰিছে; তেওঁ ইয়াক মোৰ
পৰা কেনেকৈ দূৰ কৰিব? বিদ্ৰোহী সকলক তেওঁ আমাৰ পথাৰবোৰ
ভগাই দিছে। ৫ সেই বাবে যিহোৱাৰ সমাজত চিঠি খেলৰ দ্বাৰাই
অঞ্চল ভাগ কৰিবলৈ ধনী লোকসকলৰ কোনো বংশধৰ নাথাকিব। ৬
"ভাববাণী প্ৰচাৰ নকৰিবা," তেওঁলোকে কয়, "তেওঁলোকে এইবোৰৰ
বিষয়ে ভাববাণী প্ৰচাৰ কৰা উচিত নহয়; আৰু নিন্দা অহা উচিত নহয়।"

৭ যাকোবৰ বংশক প্ৰকৃততে এইদৰে কোৱা উচিত নে? “যিহোৱাৰ
আত্মা ক্ৰোধত আছে নে? এইবোৰ সঁচাই তেওঁৰ কাৰ্য নে?” যি জনে
ন্যায়ত চলে, মোৰ বাক্যই তেওঁক উপকাৰ নকৰিব নে? ৮ ইতিমধ্যে
মোৰ লোকসকল শত্ৰুৰ দৰে হৈ উঠিছে; নিৰাপদে আছোঁ বুলি ভাবি
যুদ্ধৰ পৰা ঘূৰি অহা সৈন্যসকলৰ দৰে, সন্দেহ নোহোৱা পথিকৰ পৰা
তুমি পোচাক, আৰু বস্ত্ৰ খুলি লৈছা; ৯ তোমালোকে মোৰ লোকসকলৰ
মহিলাসকলক তেওঁলোকৰ আনন্দদায়ক ঘৰৰ পৰা খেদি দিছা; তুমি
তেওঁলোকৰ তৰুণ সন্তান সকলৰ পৰা মোৰ আশীৰ্ব্বাদ চিৰকাললৈকে
কাঢ়ি লৈছা। ১০ উঠা, আৰু এই ঠাই এৰি যোৱা, অশুচিতাৰ কাৰণে এই
ঠাই তোমালোক থাকিবৰ বাবে নহয়; ইয়াক সম্পূৰ্ণৰূপে ধ্বংস কৰা
হ’ব। ১১ মিথ্যা আত্মা আৰু মিছা কথাৰে কোনো এজনে যদি তোমাৰ
ওচৰলৈ আহি কয়, “মই দ্ৰাক্ষাৰস আৰু সুৰা পানৰ বিষয়ে তোমাৰ
আগত ভাববাণী প্ৰচাৰ কৰিম;” তেনেহ’লে তেওঁক এই লোকসকলৰ
কাৰণে ভাববাদী হ’বলৈ বিবেচনা কৰা হ’ব। ১২ হে যাকোব, মই
নিশ্চয়ে তোমাৰ সকলো লোকক সমবেত কৰিম; মই নিশ্চয় ইস্ৰায়েলৰ
অৱশিষ্ট ভাগক একগোট কৰিম; গৰালত থকা মেৰ-ছাগবোৰৰ দৰে,
আৰু চৰণীয়া পথাৰৰ মাজত থকা এজাক পশুৰ দৰে, মই তেওঁলোক
একত্ৰিত কৰিম। অধিক লোক হোৱাৰ কাৰণে তাত কোলাহলপূৰ্ণ শব্দ
হ’ব। ১৩ কোনো এজনে তেওঁলোকৰ বাবে বাট ভাঙি উলিয়াবলৈ
তেওঁলোকৰ আগে আগে যাব; তেওঁলোকে দুৱাৰ ভাঙিব; আৰু দুৱাৰৰ
মাজেৰে বাহিৰ ওলাই যাব; তেওঁলোকৰ ৰজা তেওঁলোকৰ আগেয়ে
ওলাই যাব, যিহোৱা তেওঁলোকৰ আগধৰোঁতা হ’ব।

৩ মই কলোঁ, “যাকোবৰ মূখ্য লোকসকল, আৰু ইস্ৰায়েলৰ বংশৰ
শাসনকৰ্ত্তাসকল এতিয়া শুনা: ন্যায় বুজি পোৱাটো তোমালোকৰ বাবে
উচিত নহয় নে? ২ তোমালোকৰ যিসকলে ভাল কৰ্ম ঘিণ কৰে,
আৰু পাপক ভাল পায়, তেওঁলোকৰ তোমালোকে ছাল বখলিয়াবা,
আৰু তেওঁলোকৰ হাড়ৰ পৰা মাংস এৰুৱাবা, ৩ তোমালোকে মোৰ
লোকসকলৰ মাংসও খোৱা, তোমালোকে মোৰ লোকসকলৰো ছাল
বখলিওৱা, তেওঁলোকৰ হাড় ভাঙা, পাত্ৰৰ বাবে মাংস, আৰু কেৰাহীত

দিয়া মাংসৰ দৰে, তোমালোকে তেওঁলোকক টুকুৰা টুকুৰ কৰা আৰু
খোৱা। ৪ তেতিয়া শাসনকৰ্ত্তাসকলে যিহোৱাৰ আগত কাতৰোক্তি
কৰিব, কিন্তু তেওঁ তোমালোকক উত্তৰ নিদিব। সেই সময়ত তেওঁ
তোমালোকৰ পৰা মুখ লুকুৱাব, কাৰণ তোমালোকে পাপ কৰ্ম কৰিছা।”
৫ ভাববাদীসকলৰ বিষয়ে যিহোৱাই এইদৰে কৈছে, মোৰ লোকসকলক
কোনে ভ্ৰান্ত কৰে: যিসকলে তেওঁলোকক আহাৰ খুৱাই, তেওঁলোকৰ
বাবে তেওঁলোকে ঘোষণা কৰে, ‘তাত উন্নতি হ’ব।’ কিন্তু যিসকলে
নিজৰ মুখত একো নলয়, তেওঁলোকৰ বাবে তেওঁলোকে তেওঁলোকৰ
বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে। ৬ সেই কাৰণে কোনো দৰ্শন নোহোৱাকৈ
তোমালোকলৈ ৰাতি হ’ব; আৰু তোমালোকে ভৱিষ্যৎ গণনা কৰিব
নোৱাৰাকৈ তোমালোকলৈ আন্ধাৰ হ’ব; ভাববাদীসকলৰ ওপৰত
সূৰ্য মাৰ যাব, আৰু সেই দিনা তেওঁলোকৰ ওপৰত আন্ধাৰ হ’ব। ৭
দৰ্শকসকলক লাজত পেলোৱা হ’ব, আৰু ভৱিষ্যৎ গণনা কৰা সকল
বিভ্ৰান্ত হ’ব। তেওঁলোক সকলোৱে নিজৰ মুখ ঢাকিব; কাৰণ মোৰ পৰা
তেওঁলোকলৈ একো উত্তৰ নাহিব;” ৮ কিন্তু মোৰ ক্ষেত্ৰত, যাকোবক
তেওঁৰ অপৰাধ আৰু ইস্ৰায়েলক তেওঁৰ পাপ ঘোষণা কৰিবলৈ, মই
যিহোৱাৰ আত্মাৰ দ্বাৰাই শক্তি, ন্যায় বিচাৰ, আৰু পৰাক্ৰমেৰে পৰিপূৰ্ণ।
৯ সকলো সৎ কৰ্মত বিপথে যোৱা, আৰু ন্যায় ঘৃণা কৰা হে যাকোবৰ
বংশৰ মূখ্য লোকসকল, আৰু ইস্ৰায়েল বংশৰ শাসনকৰ্ত্তাসকল,
এতিয়া এই কথা শুনা; ১০ তোমালোকে ৰক্তপাতেৰে চিয়োন, আৰু
পাপেৰে যিৰূচালেম নিৰ্মাণ কৰিলা; ১১ তোমালোকৰ মুখ্য লোকসকলে
উৎকোচৰ বাবে বিচাৰ কৰে, তোমালোকৰ পুৰোহিতসকলে মূল্যৰ
বাবে শিক্ষা দিয়ে, আৰু তোমালোকৰ ভাববাদীসকলে ধনৰ বাবে
ভৱিষ্যত বাণী কৰে, তথাপি তোমালোকে যিহোৱাৰ ওপৰত ভাৰসা
কৰি কোৱা, “যিহোৱা আমাৰ লগত নাই নে? কোনো আপদ আমালৈ
নাহিব; ১২ এই হেতুকে তোমালোকৰ কাৰণে পথাৰ চহোৱাৰ দৰে
চিয়োনক চহোৱা হ’ব, যিৰূচালেম ধ্বংসৰ স্তূপ হ’ব, আৰু মন্দিৰ থকা
পাহাৰ জংঘলৰ দৰে হ’ব।

4 কিন্তু আহি থকা দিনত এইদৰে ঘটিব, যিহোৱাৰ গৃহ থকা
পৰ্ব্বতটো আন পৰ্ব্বতবোৰৰ ওপৰত স্থাপন কৰা হ'ব। এই গৃহটি
পাহাৰবোৰতকৈয়ো উচ্চ কৰা হ'ব; আৰু লোকসকল সোঁত বোৱাদি
তালৈ যাব। ২ অনেক দেশৰ লোক যাব আৰু ক'ব, “আহাঁ, আমি
যিহোৱাৰ পৰ্ব্বতটোলৈ উঠোহঁক, আৰু যাকোবৰ ঈশ্বৰৰ গৃহলৈ
যাওঁহক। তেওঁ আমাক তেওঁৰ পথৰ বিষয়ে শিক্ষা দিব, আৰু আমি
তেওঁৰ পথত চলিম;” কিয়নো চিয়োনৰ পৰা বিধান, আৰু যিৰূচালেমৰ
পৰা যিহোৱাৰ বাক্য বাহিৰ ওলাব। ৩ তেওঁ অনেক লোকৰ মাজত
বিচাৰ কৰিব, আৰু দূৰত থকা বহুতো দেশবাসীৰ বিষয়ে সিদ্ধান্ত
ল'ব; তেওঁলোকে তেওঁলোকৰ তৰোৱাল ভাঙি নাঙলৰ ফাল, আৰু
তেওঁলোকৰ যাঠী ভাঙি কলম দিয়া কটাৰী গঢ়াই ল'ব; এটা দেশে
আন দেশৰ বিৰুদ্ধে তৰোৱাল নাদাঙিব, অথবা তেওঁলোকে যুদ্ধবিদ্যা
পুনৰ নিশিকিব। ৪ তাৰ পৰিৱৰ্তে প্ৰতিজন লোকে দ্ৰাক্ষাবাৰী, আৰু
ডিমৰু গছৰ তলত বহিব। কোনেও তেওঁলোকক ভয় খুৱাব নোৱাৰিব;
কাৰণ বাহিনীসকলৰ যিহোৱাই নিজৰ মুখেৰে এই কথা কৈছিল, ৫
কাৰণ সকলো লোকে নিজৰ নিজৰ দেৱতাৰ নামেৰে চলে, কিন্তু
আমি চিৰকাললৈকে আমাৰ ঈশ্বৰ যিহোৱাৰ নামেৰে চলিম। ৬
যিহোৱাই কৈছে, “সেই দিনা মই যিসকলক দুৰ্দশাগ্ৰস্ত কৰিছিলোঁ,
সেই পঙ্গুসকলক মই একগোট কৰিম, আৰু অনুন্নত লোকসকলক
একত্ৰিত কৰিম। ৭ মই পঙ্গুক অৱশিষ্ট কৰি ৰাখিম, আৰু যিজনক দূৰ
কৰা হৈছিল, তেওঁক এক বলৱান জাতি কৰিম; আৰু মই, যিহোৱাই
এতিয়াৰ পৰা চিৰকাললৈকে চিয়োন পৰ্ব্বতত তেওঁলোকৰ ওপৰত
ৰাজত্ব কৰিম। ৮ তোমালোক পশুৰ জাকৰ বাবে পহৰা দিয়া দুৰ্গ,
আৰু তোমালোকলৈ চিয়োন জীয়ৰীৰ পাহাৰ, পূৰ্বৰ শাসন, যিৰূচালেম
জীয়ৰীৰ ৰাজ্য আহিব। ৯ এতিয়া কিয় তোমালোকে চিঞৰি কান্দিছা?
প্ৰসৱ কৰা মহিলাৰ দৰে, তোমালোকৰ যে আকস্মিক বেদনা হৈছে;
তোমালোকৰ মাজত কোনো ৰজা নাই নে? আৰু তোমালোকৰ
পৰামৰ্শদাতা বিনষ্ট হ'ল নে? ১০ চিয়োন জীয়ৰী, বেদনা অনুভৱ
কৰা, প্ৰসৱ কৰিবলৈ লোৱা মহিলাৰ দৰে, উৎপন্ন কৰিবলৈ পৰিশ্ৰম

কৰা, কাৰণ তোমালোক এতিয়া নগৰৰ পৰা বাহিৰ ওলাই গৈ,
পথাৰত থাকিব লাগিব, আৰু বাবিললৈ যাব লাগিব; সেই ঠাইতে
তোমালোকে উদ্ধাৰ পাবা, সেই ঠাইতেই যিহোৱাই তোমাৰ শত্ৰুৰ
হাতৰ পৰা তোমাক মুক্ত কৰিব। ১১ এতিয়া অনেক দেশ তোমালোকৰ
বিৰুদ্ধে একত্ৰিত হ'ব; তেওঁলোকে কৈছে, তেওঁক কলুষিত হ'ব দিয়া,
আমাৰ চকুক চিয়োনক আগ্ৰহেৰে চাব দিয়া।" ১২ ভাববাদীয়ে কৈছে,
"তেওঁলোকে যিহোৱাৰ কল্পনাবোৰ নাজানে, নাইবা তেওঁলোকে
তেওঁৰ আঁচনিবোৰ নুবুজে; কাৰণ তেওঁ মৰণা মৰা ঠাইত ডাঙৰি
গোটোৱাৰ দৰে তেওঁলোকক গোটাইছে।" ১৩ যিহোৱাই কৈছে, "হে
চিয়োন জীয়ৰী উঠা, আৰু প্ৰহাৰ কৰা; কাৰণ মই তোমাৰ শিং লোহাৰ
আৰু তোমাৰ খুৰা পিতলৰ কৰিম; তুমি অনেক লোকক মাৰি চূৰ্ণ
কৰিবা; মই যিহোৱাই নিজৰ বাবে তেওঁলোকৰ অন্যায়ৰ সম্পত্তি
উৎসৰ্গ কৰিম, তেওঁলোকৰ অধিকাৰ গোটেই পৃথিৱীৰ প্ৰভুৰ উদ্দেশ্যে
উৎসৰ্গ কৰিম।"

৫ যিৰূচালেমৰ লোকসকল, এতিয়া একলগ হৈ যুদ্ধলৈ শাৰী পাতি
আহাঁ, তোমালোকৰ নগৰৰ চাৰিওফালে এখন দেৱাল আছে, কিন্তু
তেওঁলোকে ইস্ৰায়েলৰ মূখ্যলোকসকলক লাঠিৰে গালত প্ৰহাৰ
কৰিব। ২ কিন্তু হে বৈৎলেহেম-ইফ্ৰাথা, যিহূদাৰ গোষ্ঠীবোৰৰ মাজত
যদিও তোমালোক অতি ক্ষুদ্ৰ, তথাপিও ইস্ৰায়েলক শাসন কৰিবলৈ
তোমালোকৰ পৰাই এজন মোৰ ওচৰলৈ আহিব, সেই জনৰ আৰম্ভণি
পূৰ্বকালৰ পৰা অনন্তকাললৈকে; ৩ এই হেতুকে ঈশ্বৰে তেওঁলোকক
ত্যাগ কৰিব; যেতিয়ালৈকে তেওঁ প্ৰসৱ বেদনাৰে সন্তান জন্ম নিদিব,
আৰু তেওঁৰ ভাইৰ অৱশিষ্ট লোকসকল ইস্ৰায়েলৰ লোকসকললৈ উলটি
আহিব। ৪ যিহোৱাৰ শক্তিৰে তেওঁ থিয় হ'ব, আৰু তেওঁৰ পশুৰ জাক
চৰাব, তেওঁলোকৰ ঈশ্বৰ যিহোৱাৰ নামৰ মহিমাত, তেওঁলোকে বাস
কৰিব; কাৰণ তেওঁ পৃথিৱীৰ শেষলৈকে মহান হ'ব। ৫ তেঁৱেই আমাৰ
শান্তি হ'ব; যেতিয়া অচূৰে আমাৰ দেশলৈ সোমাই আহিব, আৰু আমাৰ
দুৰ্গবোৰৰ অহিতে তেওঁলোকে দৃঢ়ভাৱে অগ্ৰগতি কৰিব, তেতিয়া আমি
তেওঁলোকৰ বিৰুদ্ধে সাত জন মেৰ-ছাগ ৰখীয়া, আৰু লোকসকলৰ

ওপৰত আঠ জন মূখ্য লোকক তুলি ধৰিম। ৬ এই লোকসকলে
তৰোৱালেৰে অচূৰৰ দেশ, আৰু নিজৰ হাতৰ তৰোৱালেৰে নিম্ৰোদৰ
দেশ শাসন কৰিব। যেতিয়া অচূৰে আমাৰ দেশত সোমাব, আৰু আমাৰ
সীমাৰ ভিতৰত খোজ দিব, তেতিয়া তেওঁ আমাক অচূৰৰ পৰা ৰক্ষা
কৰিব। ৭ বহুতো মানুহৰ মাজত যাকোবৰ অৱশিষ্ট লোক, যিহোৱাৰ
পৰা অহা নিয়ৰ, আৰু ঘাঁহত পৰা বৰষুণৰ দৰে থাকিব। সেইবোৰে
মানুহৰ, আৰু মনুষ্য সন্তান সকলৰ বাবে অপেক্ষা নকৰে। ৮ দেশৰ
আৰু বহুতো মানুহৰ মাজত যাকোবৰ অৱশিষ্ট লোক, জংঘলত জন্তুৰ
মাজত থকা সিংহ দৰে, আৰু মেৰ-ছাগৰ জাকৰ মাজত থকা যুবা
সিংহৰ দৰে থাকিব। যেতিয়া তেওঁ তেওঁলোকৰ মাজেৰে যায়, তেওঁ
তেওঁলোকক গচকে আৰু ফালি টুকুৰা টুকুৰ কৰে, আৰু সেই ঠাইত
তেওঁলোকক ৰক্ষা কৰিবলৈ কোনো নাথাকে। ৯ তোমাৰ শত্ৰুবোৰৰ
বিৰুদ্ধে তোমাৰ হাত তুলি ধৰা হওক, আৰু সেয়ে তেওঁলোকক ধ্বংস
কৰিব। ১০ “সেই দিনা এইদৰে ঘটিব,” যিহোৱাই কৈছে, “মই
তোমালোকৰ মাজৰ পৰা তোমালোকৰ ঘোঁৰাবোৰ ধ্বংস কৰিম, আৰু
তোমালোকৰ ৰথবোৰ বিনষ্ট কৰিম। ১১ মই তোমালোকৰ দেশৰ
নগৰবোৰ উচ্ছন্ন কৰিম, আৰু তোমালোকৰ দুৰ্গবোৰ ভাঙি পেলাম।
১২ মই তোমালোকৰ হাতৰ মায়াকৰ্ম নষ্ট কৰিম, আৰু তোমালোকৰ
কোনো গণক দীৰ্ঘ সময় নাথাকিব। ১৩ মই তোমালোকৰ মাজৰ
পৰা কটা-প্ৰতিমাবোৰ, আৰু তোমালোকৰ শিলৰ স্তম্ভবোৰ ধ্বংস
কৰিম। তোমালোকৰ নিজৰ হাতৰ কাৰ্যক প্ৰণিপাত কৰি নাথাকিবা;
১৪ মই তোমালোকৰ মাজৰ পৰা আচেৰা খুঁটা বিনাশ কৰিম, আৰু মই
তোমালোকৰ নগৰবোৰ ধ্বংস কৰিম। ১৫ যি দেশে মোৰ কথা নুশুনে,
সেই দেশৰ ওপৰত মই খং আৰু ক্ৰোধেৰে প্ৰতিকাৰ সাধিম।

৬ যিহোৱাই যি কৈছে, এতিয়া তোমালোকে শুনা। মীখাই তেওঁক
ক'লে, “উঠক আৰু পৰ্ব্বতবোৰৰ সন্মুখত আপোনাৰ অৱস্থাৰ বিষয়ে
কওক, পাহাৰবোৰক আপোনাৰ মাত শুনিবলৈ দিয়ক। ২ হে
পৰ্ব্বতবোৰ, আৰু পৃথিবীৰ স্থায়ী ভিত্তিমূল, যিহোৱাৰ অভিযোগ শুনা;
কাৰণ যিহোৱাৰ নিজৰ লোকসকলৰ সৈতে অভিযোগ আছে, আৰু

তেওঁ ইস্ৰায়েলৰ বিৰুদ্ধে ন্যায়ালয়ত যুঁজিব। ৩ “হে মোৰ লোকসকল,
মই তোমালোকক কি কৰিলোঁ? মই কেনেকৈ তোমালোকক পৰিশ্ৰান্ত
কৰিলোঁ? মোৰ অহিতে সাক্ষ্য দিয়া। ৪ কাৰণ মই তোমালোকক মিচৰ
দেশৰ পৰা উলিয়াই আনিলোঁ, আৰু বন্দীঘৰৰ পৰা তোমালোকক মুক্ত
কৰিলোঁ; মই তোমালোকৰ ওচৰলৈ মোচি, হাৰোণ, আৰু মিৰিয়মক
পঠিয়াইছিলোঁ। ৫ হে মোৰ লোকসকল, মোৱাবৰ ৰজা বালাকে
কি পৰিকল্পনা কৰিছিল, আৰু বিয়োৰৰ পুত্ৰ বিলিয়মে বালাকক
কি উত্তৰ দিছিল, সেই বিষয়ে সোঁৱৰণ কৰা। তাতে চিটীমৰ পৰা
গিলগললৈ যাওঁতে যি ঘটিছিল, যিহোৱাৰ সেই ন্যায় কাৰ্যবোৰৰ বিষয়ে
তোমালোকে জানিব পাৰিবা। ৬ সৰ্ব্বোপৰি ঈশ্বৰক প্ৰণাম কৰোঁতে,
মই যিহোৱালৈ কি লৈ যাম? মই তেওঁৰ ওচৰলৈ এবছৰীয়া দামুৰিৰ
সৈতে হোম-বলি লৈ যোৱা উচিত নে? ৭ হাজাৰ হাজাৰ মেৰ-ছাগ,
বা দহ হাজাৰ তেলৰ নদীত যিহোৱা সন্তুষ্ট হ’ব নে? মোৰ অপৰাধৰ
বাবে মোৰ প্ৰথমে জন্ম হোৱা সন্তান, আৰু মোৰ নিজৰ পাপৰ বাবে
মোৰ ঔৰসৰ ফল দান কৰিম নে? ৮ হে মনুষ্য, যিহোৱাই যি ভাল,
সেই বিষয়ে তোমালোকক কৈছিল; আৰু যিহোৱাই তোমালোকৰ পৰা
এইবোৰ বিচাৰে: ন্যায়ৰূপ কাৰ্য কৰা, দয়াশীলতাক ভাল পোৱা, আৰু
তোমালোকে ঈশ্বৰৰ সৈতে নম্ৰভাৱে চলা। ৯ যিহোৱাই নগৰলৈ ঘোষণা
কৰি কৈছে, এনে কি, এতিয়া প্ৰজ্ঞায়ো তোমাৰ নাম স্বীকাৰ কৰিছে:
“তোমালোকে দণ্ড ডাললৈ আৰু যিজনে নিৰ্দ্দিষ্ট ঠাইত ইয়াক ৰাখিছে,
সেই জনলৈ মনোযোগ দিয়া। ১০ দুষ্ট লোকৰ ঘৰৰ সম্পত্তিবোৰ
অসৎ, আৰু মিছা জোখবোৰ ঘিণলগীয়া। ১১ অন্যায়ৰ তুলাচনী আৰু
প্ৰবঞ্চক ওজনৰ মোনা ব্যৱহাৰ কৰা জনক মই নিৰ্দ্দোষী বুলি বিবেচনা
কৰিম নে? ১২ ধনী লোকসকল অত্যাচাৰেৰে পৰিপূৰ্ণ, তাৰ নিবাসী
সকলে মিছা কথা কয়, আৰু তেওঁলোকৰ জিভা প্ৰতাৰণাপূৰ্ণ। ১৩
এই হেতুকে মই বিষম আঘাতেৰে তোমালোকক আঘাত কৰিলোঁ;
তোমালোকৰ পাপৰ কাৰণে মই তোমালোকক ধ্বংস কৰিলোঁ। ১৪
তোমালোকে খাবা কিন্তু তৃপ্ত নহবা, তোমালোকৰ পেট খালীয়ে হৈ
থাকিব; তোমালোকে বস্তুবোৰ গোটাবা কিন্তু ৰক্ষা কৰিব নোৱাৰিবা;

আৰু তোমালোকে যি ৰক্ষা কৰিবা, তাক মই তৰোৱালক শোধাই
দিম। ১৫ তোমালোকে সিঁচিবা কিন্তু দাবলৈ নাপাবা; তোমালোকে
জিত গচকিবা কিন্তু তেল নিজে ঘঁহিব নাপাবা; তোমালোকে দ্ৰাক্ষাগুটি
চেপিবা, কিন্তু দ্ৰাক্ষাৰস পান কৰিবলৈ নাপাবা। ১৬ অম্ৰীৰ বিধিবোৰ,
আৰু আহাবৰ বংশৰ সকলো কাৰ্যবোৰ পালন কৰিছা, তোমালোকে
তেওঁলোকৰ উপদেশত চলিছিলা; সেয়ে মই তোমালোকৰ নগৰ
ধ্বংস কৰিম, আৰু তোমালোকক নিবাসীসকলে বিদ্ৰূপ কৰিব, মোৰ
লোকসকলৰ অৱজ্ঞা তোমালোকে বহন কৰিবা।”

৭ মোৰ সন্তাপ হ’ল! কাৰণ মই গ্ৰীষ্মকালৰ ফল চপাই শেষ হৈ যোৱাৰ
নিচিনা, আৰু দ্ৰাক্ষাবাৰীত থাকি যোৱা দ্ৰাক্ষাগুটি গোটোৱাৰ দৰে
হলোঁ, কাৰণ তাত পুনৰ কোনো ফলৰ থোপা বিচাৰি পোৱা নাযায়,
তথাপিও মই প্ৰথমে পকা ডিমৰু ফল পাবলৈ ইচ্ছা কৰিছোঁ। ২ পৃথিবীৰ
পৰা ঈশ্বৰ বিশ্বাসী লোক উচ্ছন্ন হ’ল, লোকসকলৰ মাজত এজনো
ন্যায়পৰায়ণ লোক অৱশিষ্ট নাই; তেওঁলোক সকলোৱে ৰক্তপাত
কৰিবলৈ খাপ দি থাকে, প্ৰতিজন লোক আৰু তেওঁৰ ভায়েকসকলে
জালেৰে আনকোনো এজন লোকক ধৰে। ৩ অনিষ্ট কাৰ্য কৰিবলৈ
তেওঁলোকৰ হাত পাৰ্গত; শাসনকৰ্তাই ধন খোজে, বিচাৰকৰ্তাই
উৎকোচ ল’বলৈ প্ৰস্তুত থাকে, আৰু প্ৰভাৱশালী লোকে যি পাবলৈ
ইচ্ছা কৰে, তাক আনৰ আগত কয়; সেয়ে তেওঁলোকে একেলগে
পৰিকল্পনা কৰে। ৪ তেওঁলোকৰ মাজৰ শ্ৰেষ্ঠ জন জংঘলী গোলাপৰ
দৰে, ন্যায়পৰায়ণ লোক জোপোহা কাঁইটীয়া গছৰ বেৰা; তোমাৰ
প্ৰহৰীসকলৰ দ্বাৰাই কোৱা ভবিষ্যতবাণীৰ দিন এয়ে; তোমাৰ দণ্ডৰ
দিন এয়া; এতিয়া তাত বিভ্ৰান্তিৰ সৃষ্টি হৈছে। ৫ কোনো চুবুৰীয়াক
বিশ্বাস নকৰিবা, কোনো বন্ধুৰ ওপৰত আস্থা নাৰাখিবা, তুমি কি কৈছা,
সেই বিষয়ে সাৱধান হোৱা, এনে কি, যি মহিলাই তোমাৰ আঁৰত মিছা
কথা কয়, তেওঁৰ প্ৰতিও সাৱধান হোৱা; ৬ কাৰণ পুত্ৰই নিজৰ পিতৃক
অমান্য কৰে, জীয়েকে নিজৰ মাতৃৰ বিৰুদ্ধে উঠে, আৰু বোৱাৰীয়েকে
নিজৰ শাহুৱেকৰ বিৰুদ্ধে উঠে; তেওঁৰ নিজৰ ঘৰৰ মানুহেই তেওঁৰ
শত্ৰু হয়; ৭ কিন্তু মই হ’লে, যিহোৱালৈ অপেক্ষা কৰিম; মই মোৰ

ত্ৰাণকৰ্ত্তা ঈশ্বৰলৈ অপেক্ষা কৰিম; মোৰ ঈশ্বৰে মোৰ কথা শুনিব। ৮
হে মোৰ শত্ৰু, মোৰ অহিতে আনন্দ নকৰিবা; মই পৰি যোৱাৰ পাছত,
পুনৰ উঠিম, মই যেতিয়া অন্ধকাৰত বহোঁ, তেতিয়া যিহোৱা মোৰ
বাবে পোহৰ হয়। ৯ কাৰণ মই যিহোৱাৰ অহিতে পাপ কৰিলোঁ, তেওঁ
মোৰ বিষয়ে বিচাৰ নকৰালৈকে, মই তেওঁৰ ক্ৰোধ সহন কৰিম, আৰু
তেওঁ মোৰ বাবে ন্যায় বিচাৰ কৰিব, তেওঁ মোক পোহৰলৈ আনিব,
তেতিয়া ন্যায় বিচাৰেৰে তেওঁ মোক ৰক্ষা কৰা, মই দেখিবলৈ পাম।
১০ তেতিয়া মোৰ শত্ৰুৱে সেয়া চাব, “তোমাৰ ঈশ্বৰ যিহোৱা ক’ত?”
বুলি সোধা জন লাজত পৰিব, মোৰ দৃষ্টিয়ে তেওঁক চাব; তেওঁক
বাটৰ বোকাৰ নিচিনাকৈ গচকা হ’ব। ১১ তোমাৰ দেৱালবোৰ নিৰ্মাণ
কৰাৰ দিন আহিছে; সেই দিনা সীমাবোৰ দূৰলৈকে সম্প্ৰসাৰিত হ’ব।
১২ সেই দিনা অচূৰৰ পৰা মিচৰত থকা নগৰবোৰলৈকে, মিচৰৰ
পৰা বৃহত নদীলৈকে, সমুদ্ৰৰ পৰা সমুদ্ৰলৈকে, আৰু পৰ্ব্বতৰ পৰা
পৰ্ব্বতলৈকে, আপোনাৰ লোকসকল আপোনাৰ ওচৰলৈ আহিব। ১৩
এতিয়া তাত বাস কৰা লোকসকলৰ, আৰু তেওঁলোকৰ কৰ্মৰ ফলৰ
কাৰণে, সেই দেশবোৰ উচ্ছন্ন হ’ব। ১৪ আপোনাৰ লোকসকলক আৰু
আপোনাৰ আধিপত্যৰ পশুৰ জাকক, আপোনাৰ লাখুটিৰে চৰাওক;
যদিও তেওঁলোক কৰ্মিল পাহাৰৰ অৰণ্যত অকলশৰে আছে, তথাপিও
তেওঁলোকক আগৰ দৰেই, বাচানত আৰু গিলিয়দত খাবলৈ দিয়ক।
১৫ তোমালোক মিচৰৰ দেশৰ পৰা ওলাই অহা দিনৰ দৰে, মই
তেওঁলোকক আচৰিত কাৰ্য দেখুৱাম। ১৬ দেশবাসীয়ে সেই সকলো
দেখিব আৰু নিজৰ সকলো পৰাক্ৰমৰ বিষয়ে লাজ্জিত হ’ব, তেওঁলোকে
তেওঁলোকৰ হাত মুখত দিব, আৰু তেওঁলোকৰ কাণ কলা হ’ব। ১৭
তেওঁলোকে সাপৰ দৰে ধূলি চেলেকিব, আৰু পৃথিবীত বগাই ফুৰা
প্ৰাণীৰ দৰে, তেওঁলোকে গুহাৰ পৰা ভয়েৰে বাহিৰ ওলাব; তেওঁলোকে
ভয়েৰে আমাৰ ঈশ্বৰ যিহোৱাৰ ওচৰলৈ আহিব, আৰু আপোনাৰ কাৰণে
তেওঁলোকে ভয় কৰিব। ১৮ পাপ ক্ষমা কৰা, আৰু নিজৰ আধিপত্যৰ
অৱশিষ্ট ভাগৰ অপৰাধ এৰি দিয়া, এনে আপোনাৰ দৰে ঈশ্বৰ কোন
আছে? আপুনি আপোনাৰ ক্ৰোধ চিৰকাললৈকে ধৰি নাৰাখে, কাৰণ

আপুনি আপোনাৰ নিৰ্ভৰযোগ্য চুক্তি আমাক দেখুৱাবলৈ ভাল পায়।
১৯ আপুনি পুনৰ আমাক দয়া কৰিব, আমাৰ অপৰাধবোৰ আপোনাৰ
ভৰিৰে গচকিব; আপুনি আমাৰ সকলো পাপ গভীৰ সমুদ্ৰত পেলাই
দিব। ২০ যি দৰে আপুনি অনাদি কালত আমাৰ পূৰ্বপুৰুষসকলৰ
আগত শপত কৰিছিল, সেই দৰে আপুনি যাকোবলৈ সত্যতা আৰু
অব্ৰাহামলৈ বিশ্বস্ততাৰ চুক্তি দেখুৱাব।

# নাহুম

১ মই ইলকোচ গাৱঁৰ নহূম। যিহোৱাই মোক দৰ্শনৰ যোগেদি দিয়া
নীনবি নগৰৰ বিষয়ে এই এক ঘোষণা। ২ যিহোৱা নিজ মৰ্য্যদা ৰখাত
উদ্যোগী আৰু প্ৰতিকাৰ সাধোতা ঈশ্বৰ; যিহোৱা প্ৰতিকাৰ সাধোতা
আৰু ক্ৰোধেৰে পৰিপূৰ্ণ; যিহোৱাই তেওঁৰ নিজ বিৰোধী সকলৰ ওপৰত
প্ৰতিকাৰ সাধে আৰু নিজ শত্ৰুবোৰৰ কাৰণে ক্ৰোধ ৰাখে। ৩ যিহোৱা
ক্ৰোধত ধীৰ আৰু পৰাক্ৰমত মহান; কিন্তু তেওঁ দোষীক কোনো মতেই
নিৰ্দ্দোষী ঘোষণা নকৰে; বা-মাৰলী আৰু ধুমুহা হ'ল যিহোৱাৰ পথ
আৰু মেঘ তেওঁৰ ভৰিৰ ধূলিস্বৰূপ। ৪ তেওঁ সমুদ্ৰক ধমকি দি শুকুৱাই
পেলায় আৰু আটাই নদ-নদী শুকান কৰে; বাচানৰ সৈতে কৰ্মিল
অৱসন্ন হ'ল, লিবানোনৰ ফুলবোৰো শুকাই গ'ল। ৫ তেওঁৰ ভয়ত
পৰ্ব্বতবোৰ কঁপে আৰু গিৰিবোৰ দ্ৰৱীভূত হয়; তেওঁৰ আগত পৃথিৱী,
এনে কি, জগতখন আৰু তাৰ সকলো নিবাসী ভাগি পৰে। ৬ তেওঁৰ
ক্ৰোধৰ আগত কোনে থিয় হ'ব পাৰে? তেওঁৰ প্ৰচণ্ড ক্ৰোধক কোনে
সহ্য কৰিব পাৰে? তেওঁৰ প্ৰচণ্ড ক্ৰোধৰ সন্মুখত কোনে থিয় হ'ব
পাৰে? তেওঁৰ ক্ৰোধ অগ্নিৰ দৰে আহে আৰু তেওঁৰ দ্বাৰাই শিলবোৰ
ডোখৰ ডোখৰকৈ ভঙা হয়। ৭ যিহোৱা মঙ্গলময়, সঙ্কটৰ দিনা তেওঁ
দৃঢ় কোঁঠাস্বৰূপ; আৰু তেওঁত আশ্ৰয় লোৱা লোকসকলক তেওঁ জানে।
৮ কিন্তু তেওঁৰ শত্ৰুসকলক তেওঁ বানপানীৰ ধলৰ দ্বাৰাই সম্পূৰ্ণকৈ
শেষ কৰিব আৰু তেওঁ সেই লোকসকলক আন্ধাৰলৈ খেদি পঠাব। ৯
তোমালোকে যিহোৱাৰ বিৰুদ্ধে কি চক্ৰান্ত কৰিছা? তেওঁ সম্পূৰ্ণকৈ
অন্ত কৰিব; দ্বিতীয়বাৰ সঙ্কট নহব। ১০ কিয়নো, সিহঁত জোঁট লগা
কাঁইটৰ নিচিনা হলেও, সিহঁতক শুকান নৰাৰ নিচিনাকৈ ভস্ম কৰা
হ'ব। ১১ তোমালোকৰ নীনবি নগৰৰ পৰাই যিহোৱাৰ বিৰুদ্ধে কু-
কল্পনা কৰোঁতা, কু-আলচ কৰোঁতা এজন ওলাল। ১২ যিহোৱাই
এই কথা কৈছে: যদিও তেওঁলোক শক্তিৰে পূৰ আৰু বহুসংখ্যক;
তথাপি তেওঁলোকক উচ্ছন্ন কৰা হ'ব আৰু তেওঁলোকৰ কোনো এজনো
অৱশিষ্ট নাথাকিব। কিন্তু হে যিহূদা, যদিও মই তোমাক দুখ দিলোঁ,
তথাপি মই তোমাক পুনৰ দুখ নিদিম। ১৩ মই এতিয়া তোমাৰ পৰা

তাৰ যুৱলি ভাঙি পেলাম, আৰু তোমাৰ বান্ধবোৰ ছিঙি পেলাম।” ১৪
আৰু হে নীনবি নগৰ, তোমালোকৰ বিষয়ে যিহোৱাই আজ্ঞা দিছে যে,
তোমালোকৰ কোনো বংশধৰৰ নাম ৰখা নাযাব; মই তোমালোকৰ
দেৱতাবোৰৰ ঘৰৰ পৰা কটা-মূৰ্ত্তি আৰু সাঁচত ঢলা মূৰ্ত্তিবোৰ উচ্ছন্ন
কৰিম; মই তোমালোকৰ মৈদাম খান্দিম, কিয়নো তোমালোক পাপিষ্ঠ।
১৫ চোৱা, যি জনে শুভবাৰ্ত্তা আনে আৰু শান্তি প্ৰচাৰ কৰে, সেই জনৰ
চৰণ পৰ্ব্বতৰ ওপৰত আছে! হে যিহূদা, তোমালোকৰ পৰ্ব্ববোৰ
পালন কৰা আৰু তোমালোকৰ প্ৰতিজ্ঞাবোৰ সিদ্ধ কৰা, কিয়নো দুষ্ট
লোকজনে তোমালোকক আক্ৰমণ নকৰিব; সি নিঃশেষে বিনষ্ট হ’ল।
২ যি জনে তোমালোকক ডোখৰ-ডোখৰকৈ ভাঙিব, তেওঁ তোমালোকৰ
বিৰুদ্ধে উঠি আহি আছে। তোমালোকে দুৰ্গবোৰ দৃঢ় কৰা, বাটবোৰলৈ
পহৰা দি থাকা, নিজকে অতিশয় বলৱান কৰা আৰু নিজ সৈন্যদলবোৰক
একত্ৰিত কৰা। ২ কিয়নো যদিও লুণ্ঠন কৰোঁতা সকলে তেওঁলোকক
খালি কৰি উলিয়াই পঠিয়ালে আৰু তেওঁলোকৰ দ্ৰাক্ষালতাৰ ডালবোৰ
নষ্ট কৰিলে তথাপিও যিহোৱাই ইস্রায়েলৰ মহত্ত্বৰ দৰে যাকোবৰ মহত্ত্ব
পুনৰায় স্থাপন কৰিব। ৩ তেওঁৰ বীৰ লোকসকলৰ ঢালৰ ৰং ৰঙা আৰু
পৰাক্ৰমী লোকসকল সেন্দুৰ বৰণীয়া কাপোৰ পিন্ধা; যুদ্ধলৈ সাজু
হোৱাৰ দিনা তেওঁলোকৰ ৰথবোৰৰ তীখা জিলিকে আৰু ছাইপ্ৰেচ
গছবোৰৰ জাঠিবোৰ হাতত বৰকৈ বতাহত তুলি ধৰি লৰাবলৈ ল’লে। ৪
ৰথবোৰ অতি বেগৰে বাটৰ মাজেদি চলিবলৈ ধৰিলে; তেওঁলোকে বহল
মুকলি বাটবোৰত ইখনে সিখনক ইফালে-সিফালে চলালে। সেইবোৰ
দেখিবলৈ আৰিয়াৰ নিচিনা আৰু সেইবোৰ বিজুলীৰ নিচিনাকৈ অতি
বেগেৰে গৈছে। ৫ যি জনে তোমালোকক ডোখৰ-ডোখৰকৈ ভাঙিব,
তেওঁ নিজ বিষয়াসকলক মাতি পঠিয়াইছে; এনেতে তেওঁলোকে
বেগেৰে যাওঁতে যাওঁতে উজুটি খালে; তেওঁলোকে ততালিকে দুৰ্গটো
আক্ৰমণ কৰিবলৈ যায়। আক্ৰমণ কৰোঁতা সকলক ৰক্ষা কৰিবলৈ
ঢালবোৰ যুগুত কৰা হ’ল। ৬ নদীবোৰত থকা দুৱাৰবোৰ মুকলি হৈ
গ’ল, তেতিয়া ৰাজগৃহ পানীত নাশ হৈ গ’ল। ৭ যিহোৱাই এই বিষয়ে
কথা কৈছিল: ৰাণী হুচব অনাবৃতা হ’ল আৰু তেওঁক নিয়া হ’ল; তেওঁৰ

দাসীসকলে বুকুত ভুকুৱাই কপৌৰ স্বৰেৰে শোক কৰিছে। ৮ কিন্তু
নীনবি আগৰ কালৰে পৰা এটা জলপূৰ্ণ পুখুৰীস্বৰূপ; তথাপি তেওঁলোক
বৈ যোৱা পানীৰ দৰে পলাইছে। অন্য লোকসকলে “ৰ'বা ৰ'বা” বুলি
চিঞৰে, কিন্তু কোনেও ঘূৰি নাচায়। ৯ তোমালোকে ৰূপ লুট কৰি নিয়া,
সোণ লুট কৰি নিয়া, কিয়নো বস্তুবোৰৰ সৌন্দৰ্যৰ মহিমা সীমাহীন।
ইয়াতে সকলো প্ৰকাৰ মনোহৰ বস্তু অতিশয় অধিক পৰিমাণে আছে।
১০ সেই নীনবি শুদা আৰু উচ্ছন্ন; প্ৰতিজনৰ ভয়ত মন পমি গৈছে আৰু
আঁঠুৱে আঁঠুৱে লগালগি হৈছে, সকলোৰে বেদনা, আৰু সকলোৰে মুখ
বিবৰ্ণ হৈছে। ১১ যি ঠাইত কোনেও ভয় নথকাকৈ সিংহ, সিংহিনী আৰু
সিংহ পোৱালিৰ দৰে ফুৰিছিল, সিংহৰ সেই গুহা আৰু যুবা সিংহৰ সেই
খোৱা ঠাই ক'ত? ১২ সিংহই নিজৰ পোৱালিবোৰৰ কাৰণে জোৰাওকৈ
অনেক পশু ছিৰিছিল আৰু নিজ সিংহিনীবোৰৰ কাৰণে ডিঙিত টেপা দি
মাৰিছিল আৰু বলিৰ চিকাৰেৰে নিজৰ গুহাবোৰ আৰু ধৰি অনা নিজৰ
চিকাৰবোৰ গাতবোৰত ভৰাই ৰাখিছিল। ১৩ বাহিনীসকলৰ যিহোৱাই
কৈছে, “চোৱা, মই তোমালোকৰ বিপক্ষ;” “মই তোমালোকৰ ৰথবোৰ
ধূঁৱাত পুৰি পেলাম আৰু তৰোৱালে তোমালোকৰ যুবা সিংহবোৰক
গ্ৰাস কৰিব; মই তোমালোকৰ দেশৰ পৰা তোমালোকৰ চিকাৰ উচ্ছন্ন
কৰিম আৰু তোমালোকৰ দূতবোৰৰ মাত আৰু শুনা নাজাব।

৩ পৰিপূৰ্ণ ৰক্তৰে নগৰীৰ সন্তাপ হওঁক! তাই মিছা কথা আৰু লুন্ঠনৰ
সম্পত্তিৰে পৰিপূৰ্ণ; তাইৰ ওচৰত ক্ষতিগ্ৰস্তসকল সদায় থাকে। ২
কিন্তু এতিয়া চাবুকৰ শব্দ, চকাৰ ঘৰ্ঘৰণিৰ শব্দ, জপিয়াই থকা ঘোঁৰা
আৰু জপিওৱা ৰথৰ শব্দ শুনা যায়। ৩ আক্ৰমণকাৰী অশ্বাৰোহী,
চিকমিকোৱা তৰোৱাল, জিলিকা বৰছা, হত হোৱা লোক সমূহ আৰু দ'ম
হৈ থকা বৃহৎ মৃত-দেহবোৰ; মৰা শৰবোৰৰ সীমা নাই, তেওঁলোকৰ
শৰৰ ওপৰত তেওঁলোকৰ আক্ৰমাণকাৰীসকলে উজুটি খায়। ৪
এইবোৰ সংঘটিত হোৱাৰ কাৰণ হ'ল, যি মায়াবিনী সুন্দৰী বেশ্যাই
নিজৰ বেশ্যা কৰ্মৰ দ্বাৰাই জাতি সমূহক আৰু নিজৰ মায়াকাৰ্য্যৰ দ্বাৰাই
প্ৰজাসকলক বিক্ৰী কৰিলে; তাইৰ অধিক বেশ্যাকৰ্মৰ কাৰণে এইবোৰ
ঘটিছে। ৫ বাহিনীসকলৰ যিহোৱাই কৈছে, “চোৱা, মই তোমাৰ

বিপক্ষে; মই তোমাৰ কাপোৰৰ আঁচল তোমাৰ মুখৰ ওপৰলৈকে
দাঙি তোমাক অনাবৃতা কৰিম; মই জাতি সমূহক তোমাৰ বিবস্ত্ৰতা
আৰু ৰাজ্যক তোমাৰ লাজ দেখুৱাম। ৬ মই তোমাৰ ওপৰত মলিয়ন
ঘিণলগীয়া বস্তু পেলাই তোমাক ঘৃণনীয় কৰিম; মই তোমাক মানুহে ঠৰ
লাগি চাই থকা বস্তুৰ দৰে স্থাপন কৰিম। ৭ তেতিয়া এনে ঘটিব, যে যি
জনে তোমালৈ চাব, তেওঁ তোমাৰ পৰা পলাব আৰু ক'ব, 'নীনবি বিনষ্ট
হ'ল; কোনে তাইৰ কাৰণে বিলাপ কৰিব?' মই ক'ৰ পৰা তোমাৰ
কাৰণে শান্ত্বনা দিওঁতা লোক বিচাৰি আনিম?" ৮ হে নীনবি, তুমি
জানো যি থিব্‌চ (নো-আমোন নগৰ) নীল নদীবোৰৰ মাজত সজা
আছিলা, যাৰ চাৰিওফালে জল সমূহ আছিল, যাৰ কোঁঠ সাগৰ আৰু
গড় সমুদ্ৰ, সেই থিব্‌চতকৈ তুমি জানো উত্তম? ৯ কুচ আৰু মিচৰ
তাইৰ ক্ষমতা আছিল আৰু সেয়ে অসংখ্য আছিল; পূটীয়া আৰু লুবীয়া
তাইৰ মিত্ৰ আছিল। ১০ তথাপি তাইক নিয়া হৈছিল, তাই বন্দী-
অৱস্থালৈ গ'ল, তাইৰ আটাই শিশুক আলিৰ মূৰত আছাৰি ডোখৰ
ডোখৰ কৰা হ'ল; শত্ৰুবোৰে তাইৰ সম্ভ্ৰান্ত লোকসকলৰ বাবে চিঠি
খেলিলে আৰু তাইৰ আটাই বৰ লোকসকলক শিকলিৰে বন্ধা হ'ল।
১১ তুমিও মতলীয়া হ'বা; নিজকে লুকুৱাই ৰাখিবলৈ চেষ্টা কৰিবা;
তুমি শত্ৰুৰ ভয়ত আশ্ৰয় লবলৈ এটা দুৰ্গ বিচাৰিবা। ১২ তোমাৰ
আটাই কোঁঠ আগতিয়া গুটি লগা ডিমৰু গছৰ নিচিনা হ'ব; যেতিয়া
সেইবোৰত জোকাৰণি লাগে, তেতিয়া সেইবোৰ খাওঁতাৰ মুখত পৰে।
১৩ চোৱা, তোমাৰ মাজত থকা প্ৰজাসকল মহিলাসকলৰ নিচিনা;
তোমাৰ দেশৰ দুৱাৰবোৰ শত্ৰুবোৰৰ কাৰণে বহলকৈ মেলা আছে;
অগ্নিয়ে তোমাৰ দুৱাৰবোৰৰ ডাংবোৰ গ্ৰাস কৰিলে। ১৪ অৱৰোধ
কালৰ কাৰণে তুমি পানী তুলি থোৱা; তোমাৰ কোঁঠবোৰ দৃঢ় কৰা,
বোকালৈ গৈ বোকা খচা; ইটাৰ ভাটাবোৰ মেৰামতি কৰা। ১৫ সেই
ঠাইতে অগ্নিয়ে তোমাক গ্ৰাস কৰিব আৰু তৰোৱালে তোমাক ছেদন
কৰিব। ফৰিঙৰ দৰে তোমাক খাই পেলাব; তুমি ফৰিঙ আৰু কাকতী
ফৰিঙৰ নিচিনা বহুসংখ্যক হোৱা। ১৬ তুমি আকাশৰ তৰাবোৰতকৈ
তোমাৰ বণিকসকলক অধিক কৰিলা; কিন্তু তেওঁলোক ফৰিংবোৰৰ

নিচিনা: তেওঁলোকে দেশ লুণ্ঠণ কৰি তাৰ পাছত উড়ি গুচি যাই। ১৭
তোমাৰ ৰাজকুমাৰসকল কাকতী ফৰিঙৰ সংখ্যাবোৰৰ নিচিনা আৰু
তোমাৰ সেনাপতিসকল এনে ফৰিঙৰ নিচিনা যি ফৰিঙে জাৰৰ দিনা
বেৰাত আশ্ৰয় লয় - কিন্তু যেতিয়া বেলি উদয় হয়, তেতিয়া তেওঁলোকে
যি ঠাইলৈ উড়ি যায়, সেই ঠাইৰ বিষয়ে কোনেও নাজানে। ১৮ হে
অচূৰৰ ৰজা, তোমাৰ মেৰ-ছাগ ৰখীয়াবোৰ টোপনিত আছে; তোমাৰ
প্ৰধান লোকসকলে বিশ্ৰাম কৰি আছে। তোমাৰ প্ৰজাবোৰ পৰ্ব্বতৰ
ওপৰত গোট গোট হ'ল, কিন্তু তেওঁলোকক একেলগে গোট খোৱাবলৈ
কোনো নাই। ১৯ তোমাৰ ঘা সুস্থ হ'বলৈ কোনো সম্ভাৱনা নাই।
তোমাৰ ঘা অত্যন্ত। তোমাৰ বিষয়ে বাৰ্ত্তা শুনা সকলোৱে তোমালৈ
হাত-তালি দিব; কাৰণ কোনে তোমাৰ অনৰ্গল দুষ্কৰ্মৰ পৰা মুক্তি
পাইছে?

# হাবাকুক

১ ভাববাদী হবুক্কুকে ঘোষণা কৰা বাৰ্ত্তা গৃহীত কৰিলে। ২ “হে
যিহোৱা, মই কিমান দিন সহায়ৰ বাবে কান্দি থাকিম, আৰু আপুনি
নুশুনাকৈ থাকিব? মই আপোনাৰ আগত অত্যাচাৰৰ ভয়ত কাতৰোক্তি
কৰিছোঁ, কিন্তু আপুনি মোক ৰক্ষা নকৰে। ৩ আপুনি মোক কিয়
অপৰাধ, আৰু অন্যায় কাৰ্য চাব দিছে? মোৰ আগত উপদ্ৰৱ আৰু
অত্যাচাৰ হৈ আছে, ইয়াত বিৰোধ, আৰু বিবাদ বৃদ্ধি পাইছে। ৪ সেই
কাৰণে বিধান দুৰ্বল হৈছে, আৰু ন্যায় বিচাৰ বহুদিনলৈকে নাথাকিব।
দুষ্টই ধাৰ্মিকক চাৰিওফালে বেৰি ধৰাৰ কাৰণে, ভুল বিচাৰ হয়।”
৫ “দেশীয় লোকসকলক চোৱা, আৰু পৰীক্ষা কৰা, আচৰিত আৰু
বিস্মিত হোৱা! কাৰণ মই তোমালোকৰ দিনত নিশ্চয় এনে কাৰ্য
কৰিম; যি কাৰ্য তোমালোকৰ আগত প্ৰকাশ হলেওঁ তোমালোকে
বিশ্বাস নকৰিবা। ৬ কাৰণ চোৱা! দেশৰ হিংস্ৰ আৰু অবিবেচক
কলদীয়া সকলক মই তুলি ধৰিবলৈ উদ্যত। তেওঁলোকে পৃথিবীৰ
প্ৰস্থয়েদি যাত্ৰা কৰি, যিবোৰ তেওঁলোকৰ নহয়, সেইবোৰ ঘৰ অধিকাৰ
কৰিব। ৭ তেওঁলোক ত্ৰাসজনক আৰু ভয়ানক; তেওঁলোকৰ বিচাৰ
আৰু ঐশ্বৰ্য তেওঁলোকৰ নিজৰ পৰাই আৰম্ভ হয়। ৮ তেওঁলোকৰ
ঘোঁৰাবোৰ নাহৰফুটুকী বাঘতকৈয়ো দ্ৰুতবেগী, আৰু গধূলি পৰৰ
ৰাংকুকুৰতকৈয়ো বেগী! সেয়ে তেওঁলোকৰ ঘোঁৰাবোৰ ছাব মৰা, আৰু
তেওঁলোকৰ অশ্বাৰোহীসকল ঈগলে খাবলৈ বেগেৰে উৰি অহাৰ দৰে,
বহু দূৰৰ পৰা বেগেৰে আহে। ৯ তেওঁলোক সকলোৱে অত্যাচাৰ
কৰিবলৈ আহে; তেওঁলোক দলে দলে মৰুভূমিৰ বতাহৰ দৰে যায়,
আৰু তেওঁলোকে বালিৰ দৰে বন্দীসকলক গোট খোৱাই। ১০ সেয়ে
তেওঁলোকে ৰজাক বিদ্ৰূপ কৰে, আৰু শাসনকৰ্ত্তাসকল তেওঁলোকৰ
বাবে হাঁহিয়াতৰ পাত্ৰ হয়। তেওঁলোকে প্ৰত্যেক দুৰ্গক তুচ্ছ জ্ঞান কৰে;
কাৰণ তেওঁলোকে মাটি দ’ম কৰে আৰু সীমা বান্ধি সেই সকলো
কাঢ়ি লয়। ১১ তাৰ পাছত তেওঁলোকে বতাহৰ দৰে ক্ষিপ্ৰগতিৰে
আগবাঢ়িব; আৰু যিসকলৰ শক্তিয়েই নিজৰ দেৱতা, সেই দোষী
লোকসকলৰ ওপৰেৰে পাৰ হ’ব।” ১২ “হে মোৰ ঈশ্বৰ যিহোৱা,

মোৰ পবিত্ৰ জনা, আপুনি অনাদি কালৰে পৰা নাই জানো? আমাৰ
মৃত্যু নহ’ব। যিহোৱাই বিচাৰৰ বাবে তেওঁলোকক অভিষেক কৰিলে,
আৰু আপুনি শিল, তেওঁলোকক সংশোধন কৰিবলৈ আপুনি প্ৰতিষ্ঠিত
হ’ল। ১৩ পাপলৈ স্থিৰভাৱে দৃষ্টি কৰিবলৈ আপোনাৰ দৃষ্টি অতি পবিত্ৰ,
আৰু আপুনি অনুগ্ৰহেৰে সৈতে অন্যায় কাৰ্য চাব নোৱাৰে। তেনেহ’লে
আপুনি বিশ্বাসঘাত কৰা সকললৈ কিয় অনুগ্ৰহেৰে দৃষ্টি কৰিছে?
দুষ্টলোকে নিজতকৈ অধিক ধাৰ্মিক লোকক গ্ৰাস কৰাৰ সময়ত
আপুনি কিয় নিৰৱে থাকে? ১৪ আপুনি সাগৰৰ মাছৰ দৰে, আৰু
শাসনকৰ্ত্তা নোহোৱা বগাই যোৱা লতাৰ দৰে মানুহক সৃষ্টি কৰিলে? ১৫
তেওঁলোকে সকলোকে তেওঁলোকৰ বৰশীৰে তোলে, তেওঁলোকে মাছ
ধৰা জালেৰে মানুহক ধৰে, আৰু তেওঁলোকক তেওঁলোকৰ জালেৰে
গোটায়; এই কাৰণে তেওঁলোকে উৎসাহিত হৈ চিঞৰে আৰু আনন্দ
কৰে। ১৬ সেই কাৰণে তেওঁলোকে নিজৰ মাছ ধৰা জালৰ উদ্দেশ্যে
উৎসৰ্গ কৰে, আৰু তেওঁলোকৰ জালৰ উদ্দেশ্যে ধূপ জ্বলায়; কাৰণ
হৃষ্টপুষ্ট পশুবোৰ তেওঁলোকৰ অংশ আৰু চৰ্ব্বিযুক্ত মাংস তেওঁলোকৰ
আহাৰ হয়। ১৭ সেয়ে তেওঁলোকে সহানুভূতি নোহোৱাকৈ নিজৰ জাল
খালি কৰি, অবিৰাম দেশীয় লোকসকলক বধ কৰিব নে?

২ মোৰ প্ৰহৰীস্থানত মই থিয় হম, আৰু পহৰা দিয়া ওখ স্তম্ভত মই
নিজে থাকিম, আৰু মই সাৱধানে পহৰা দিম। আৰু তেওঁ মোক কি
ক’ব, আৰু মোৰ অভিযোগৰ পৰা মই কেনেকৈ ঘূৰিব পাৰোঁ, সেই
বিষয়ে মই চাম। ২ যিহোৱাই মোক উত্তৰ দি ক’লে, “এই দৰ্শনৰ
কথা লিখি থোৱা, আৰু এনে স্পষ্টকৈ ফলিত লিখা, যাতে যি কোনোৱে
খৰকৈ পঢ়িব পাৰে। ৩ কাৰণ এই দৰ্শন যদিও ভৱিষ্যত সময়ৰ বাবে
তথাপিও শেষত এই দৰ্শন প্ৰকাশ পাব আৰু বিফল নহ’ব। যদিও পলম
হয়, তাৰ বাবে অপেক্ষা কৰা; কাৰণ সেয়া নিশ্চয় সিদ্ধ হ’ব, আৰু পলম
নহব। ৪ চোৱা! মানুহৰ আত্মা অহংকাৰী হয়, আৰু নিজেই নিজৰ বাবে
ন্যায়পৰায়ণ নহয়, কিন্তু ধাৰ্মিক লোক নিজৰ বিশ্বাসৰ দ্বাৰাই জীয়াই
থাকিব। ৫ কাৰণ সুৰাই গৰ্ব্বী যুৱকক বিশ্বাসঘাতক কৰে; সেয়ে তেওঁ
সহ্য নকৰিব, কিন্তু তেওঁৰ বিস্তৃত আকাংক্ষা সমাধি আৰু মৃত্যুৰ দৰে

সম্প্ৰসাৰিত কৰে, যি কেতিয়াও সন্তুষ্ট নহয়। তেওঁ নিজৰ বাবে সকলো
দেশ আৰু লোকসকলক গোটাই, (Sheol h7585) ৬ এই লোকসকল
তেওঁৰ বিৰুদ্ধে দৃষ্টান্ত স্বৰূপ আৰু তেওঁৰ সম্পৰ্কে বিদ্ৰূপজনক বাক্য
নক'ব নে? তেওঁলোকে ক'ব, 'যি নিজৰ নহয়, তেনে সন্তাপ যিজনে
বৃদ্ধি কৰে! তেনেদৰে তুমি কিমান দিন প্ৰতিজ্ঞাৰ বোজাৰ ভাৰ বৃদ্ধি
কৰিবা? ৭ যিজনে তোমাৰ অহিতে দাঁতকৰচে, সেই জনে অকস্মাতে
তোমাৰ অহিতে উঠে, আৰু যিজনে তোমাক আতঙ্কিত কৰে, সেই জনে
জাগ্ৰত নহ'ব নে? তুমি তেওঁলোকৰ বাবে প্ৰতাৰিত লোক হ'বা! ৮
তুমি অনেক দেশ লুট কৰাৰ কাৰণে, সকলো অৱশিষ্ট লোকে তোমাক
লুট কৰিব; মানুহৰ ৰক্তপাতৰ কাৰণে, দেশ, গাঁও, আৰু তাৰ আটাই
নিবাসীসকললৈ কৰা অত্যাচাৰৰ বাবে এয়ে সিদ্ধ হ'ব। ৯ যিজনে
নিজৰ ঘৰৰ বাবে পাপ অৰ্জন কৰে, সেই জনৰ সন্তাপ হ'ব। দুষ্টৰ
হাতৰ পৰা উদ্ধাৰ পাবলৈ, তেওঁ ওখ ঠাইত নিজৰ আশ্ৰয়স্থান স্থাপন
কৰে।' ১০ তুমি অনেক লোকক উচ্ছন্ন কৰিবলৈ তোমাৰ ঘৰৰ বাবে
লজ্জাজনক চিন্তা কৰিলা, আৰু তোমাৰ নিজৰ আত্মাৰ বিৰুদ্ধে পাপ
কৰিলা। ১১ দেৱালৰ মাজৰ পৰা শিলে চিঞৰি কান্দিব, আৰু কাঠৰ
মাজৰ পৰা চটিয়ে তাৰ উত্তৰ দিব। ১২ ৰক্তপাতেৰে নগৰ নিৰ্মাণ কৰা
জনৰ আৰু অপৰাধৰ দ্বাৰাই নগৰ স্থাপন কৰা জনৰ সন্তাপ হ'ব। ১৩
এয়ে বাহিনীসকলৰ যিহোৱাৰ পৰা নহয় নে? লোকসকলে জুইৰ বাবে
পৰিশ্ৰম কৰে, আৰু সেই দেশবাসীয়ে অসাৰ বস্তুৰ বাবে চিন্তিত হয়,
১৪ সমুদ্ৰ যেনেকৈ পানীৰে পৰিপূৰ্ণ, সেইদৰে পৃথিৱীখন যিহোৱাৰ
জ্ঞানৰ মহিমাৰে পৰিপূৰ্ণ হ'ব। ১৫ যিজনে নিজৰ চুবুৰীয়াক সুৰা পান
কৰায়, আৰু যেতিয়ালৈকে মতলীয়া নহয়, তুমি বিষ দি তেওঁক সুৰা
পান কৰায় থাকা, যাতে তুমি তেওঁৰ বিবস্ত্ৰতা দেখা পোৱা!' ১৬ তুমি
গৌৰৱৰ পৰিৱৰ্তে লাজেৰে পৰিপূৰ্ণ হ'বা; তুমিও পান কৰা, আৰু
তোমাৰ নিজৰ বিৱস্ত্ৰতা প্ৰকাশ কৰা! যিহোৱাৰ সোঁ হাতত থকা পিয়লা
তোমালৈ ঘূৰি আহিব, আৰু অপমানে তোমাৰ সন্মান ছানি ধৰিব।
১৭ লিবানোনত হোৱা অত্যাচাৰে তোমাক ঢাকিব, আৰু পশুবোৰৰ
ধ্বংস দেখি তুমি আতঙ্কিত হ'বা; মানুহৰ ৰক্তপাতৰ কাৰণে, আৰু

দেশ, নগৰ, আৰু তাত থকা সকলো নিবাসীলৈ কৰা অত্যাচাৰৰ বাবেই
এইদৰে ঘটিব। ১৮ কটা-প্ৰতিমাই তোমাক কি উপকাৰ কৰে? যে তাৰ
বাবে নিৰ্মাণকাৰীয়ে যেতিয়া তাক কাটে বা গলোৱা ধাতুৰ পৰা যেতিয়া
প্ৰতিমা তৈয়াৰ কৰে, তেওঁ এজন মিছা শিক্ষক; যেতিয়া নিৰ্মাণকাৰীয়ে
নিষ্প্ৰাণ মূৰ্ত্তি তৈয়াৰ কৰে, তেতিয়া তেওঁ নিজৰ হাতৰ কৰ্মত বিশ্বাস
কৰে। ১৯ যি জনে কাঠক সাৰ পোৱা বুলি কয়, বা শিলক উঠা বুলি কয়,
তেওঁৰ সন্তাপ হ'ব! সেইবোৰে জানো শিক্ষা দিব? চোৱা, এইবোৰত
সোণ আৰু ৰূপ খটোৱা হৈছে, কিন্তু সেইবোৰৰ ভিতৰত কিঞ্চিতো
প্ৰাণবায়ু নাই। ২০ কিন্তু যিহোৱা নিজৰ পবিত্ৰ মন্দিৰত আছে; সমূদায়
পৃথিৱী তেওঁৰ আগত নিজম দি থাকক।

৩ ভাববাদী হবূক্কূকৰ প্ৰাৰ্থনা: ২ হে যিহোৱা, মই আপোনাৰ বাৰ্ত্তা
শুনিলোঁ, আৰু মোৰ ভয় লাগিছে! হে যিহোৱা, এই সময়ৰ ভিতৰত
আপোনাৰ কাৰ্য পুনৰ আৰম্ভ কৰক, আৰু এই সময়ৰ ভিতৰতে আমাক
জনাওঁক; ক্ৰোধৰ সময়ত আপুনি দয়া সোঁৱৰণ কৰক। ৩ ঈশ্বৰ
তৈমনৰ পৰা, আৰু পবিত্ৰ জনা পাৰণ পৰ্ব্বতৰ পৰা আহিছে; (চেলা)
তেওঁৰ গৌৰৱে আকাশ-মণ্ডল আবৰি ধৰিছিল, আৰু পৃথিৱী তেওঁৰ
প্ৰশংসাৰে পৰিপূৰ্ণ হৈছিল। ৪ তেওঁৰ হাতৰ ৰশ্মি জ্বলি থকা পোহৰৰ
দৰে, আৰু তাতেই তেওঁ তেওঁৰ পৰাক্ৰম ধৰি ৰাখে। ৫ তেওঁৰ আগে
আগে মহামাৰী যায়, আৰু তেওঁৰ খোজৰ পাছত ৰোগ যায়। ৬ তেওঁ
থিয় হয় আৰু পৃথিৱী জোখে; তেওঁ চাই আৰু দেশবিলাক কম্পমান
কৰে! এনে কি চিৰস্থায়ী পৰ্ব্বতবোৰ ছিন্ন-ভিন্ন হৈছে, আৰু চিৰস্থায়ী
পাহাৰবোৰ পৰি গৈছে; তেওঁৰ পথ অনন্তকলীয়া। ৭ মই দেখিলোঁ,
কূচনৰ তম্বুবোৰ দুখত আছে; আৰু মিদিয়ন দেশৰ তম্বুৰ কাপোৰবোৰ
কঁপিছে। ৮ নদীবোৰৰ সৈতে যিহোৱাৰ ক্ৰোধ হৈছে নে? আপোনাৰ
ক্ৰোধ নদীবোৰৰ বা আপোনাৰ উত্তেজনা সাগৰৰ বিৰুদ্ধে নে? যেতিয়া
আপুনি আপোনাৰ ঘোঁৰাবোৰৰ ওপৰত উঠে, তেতিয়া আপোনাৰ ৰথে
ৰক্ষা পাই নে? ৯ আপুনি আপোনাৰ ধনু আবৃত নকৰাকৈ লৈ আহিছে;
আপুনি আপোনাৰ ধনুত কাঁড় লগাইছে! (চেলা) আপুনি পৃথিৱীখন
নদীবোৰেৰে ভাগ কৰিছা। ১০ পৰ্ব্বতবোৰে আপোনাক দেখিছে

আৰু ক্লেশত মোচোৰা খাইছে; অগাধ জল সেইবোৰৰ ওপৰেৰে
গৈছে; গভীৰ সাগৰে গৰ্জন কৰিছে! ই ওপৰলৈ ঢৌবোৰ উঠায়। ১১
আপোনাৰ উৰি যোৱা কাঁড়ৰ পোহৰ আৰু আপোনাৰ চকমকায় থকা
যাঠিৰ উজ্বলতাত, সূৰ্য আৰু চন্দ্ৰ নিজৰ নিজৰ উচ্চ স্থানত স্থিৰ হৈ
আছে। ১২ আপুনি ধিক্কাৰেৰে পৃথিবীৰ মাজেদি যাত্ৰা কৰিছে। আপুনি
ক্ৰোধত দেশবোৰক মৰণা মাৰাদি মাৰিছে। ১৩ আপুনি আপোনাৰ
লোকসকলৰ পৰিত্ৰাণৰ আৰু আপোনাৰ অভিষিক্ত জনৰ পৰিত্ৰাণৰ
বাবে ওলাই গৈছে। আপুনি দুষ্টলোকৰ ঘৰৰ মূৰব্বীক গুড়ি কৰি
ডিঙিৰ পৰা ভিত্তিমূললৈকে অনাবৃত কৰিলে। (চেলা) ১৪ আপুনি
যুদ্ধাৰুসকলৰ সেনাপতিসকলক তেওঁলোকৰ নিজৰ কাঁড়েৰে মুৰবোৰ
খুচিলে; তেওঁলোকে ধুমুহাৰ দৰে আমাক ছিন্ন-ভিন্ন কৰিবলৈ আহিছিল,
তেওঁলোকে দুখীয়াক গুপুত স্থানত ৰখাৰ দৰে গ্ৰাস কৰিছিল। ১৫
আপুনি ঘোঁৰাবোৰে সৈতে সাগৰৰ ওপৰেৰে যাত্ৰা কৰিলে, আৰু
মহাজলৰাশিক স্তূপকৃত কৰিলে। ১৬ মই শুনিলোঁ আৰু মোৰ ভিতৰ
অংশ কঁপি উঠিল! শব্দত মোৰ ওঁঠ কঁপি উঠিছে! মোৰ হাড়বোৰ ক্ষয়
হ'ব ধৰিছে, আৰু মোৰ ভিতৰ অংশ কঁপি উঠিছে তথাপি যি সকলে
আমাক আক্ৰমণ কৰিলে, তেওঁলোকৰ ওপৰলৈ সঙ্কটৰ দিন অহাৰ
বাবে মই নিৰৱে অপেক্ষা কৰি আছোঁ। ১৭ যদিও ডিমৰু গছত কলি
হোৱা নাই, আৰু তাত দ্ৰাক্ষালতাৰ পৰা গুটি উৎপন্ন হোৱা নাই, যদিও
জিত গছৰ উৎপন্নই হতাশ কৰিছে, আৰু পথাৰবোৰত শস্য উৎপন্ন
হোৱা নাই, যদিও গঁৰালৰ পৰা মেৰ-ছাগৰ জাকক উচ্ছন্ন কৰা হৈছে,
আৰু গোহালিত এটাও গৰু নাই, ১৮ তথাপিও মই যিহোৱাত আনন্দ
কৰিম, মোৰ ত্ৰাণকৰ্ত্তা ঈশ্বৰত মই উল্লাস কৰিম। ১৯ প্ৰভু যিহোৱা
মোৰ বল; আৰু তেওঁ মোৰ ভৰি হৰিণীৰ ঠেঙৰ দৰে কৰিছে, আৰু মোৰ
ওখ ঠাইবোৰত মোক চলাই লৈ যাব। সংগীত পৰিচালকলৈ; মোৰ
তাৰযুক্ত বাদ্যেৰে।

# জেফানিয়া

**১** আমোনৰ পুত্ৰ যিহূদাৰ ৰজা যোচিয়াৰ ৰাজত্বৰ সময়ত কুচীৰ
পুত্ৰ চফনিয়াৰ ওচৰলৈ যিহোৱাৰ বাক্য উপস্থিত হ'ল। কুচী আছিল
গদলিয়াৰ পুত্ৰ, গদলিয়া অমৰিয়াৰ পুত্ৰ, অমৰিয়া হিষ্কিয়াৰ পুত্ৰ।
২ যিহোৱাই এই কথা কৈছে, "মই পৃথিৱীৰ বুকুৰ পৰা সকলোকে
নিঃশেষ কৰি পেলাম। ৩ মানুহ আৰু পশু, আকাশৰ পক্ষী আৰু
সমুদ্ৰৰ মাছবোৰক মই শেষ কৰি দিম। মই দুষ্টবোৰৰ পতন ঘটাম!
পৃথিৱীৰ পৰা মই মানুহক উচ্ছন্ন কৰিম। ৪ মই যিহূদাৰ বিৰুদ্ধে
আৰু যিৰূচালেমৰ নিবাসীসকলৰ বিৰুদ্ধে মোৰ হাত মেলিম। মই এই
দেশত থকা বাল দেৱতাৰ অৱশেষ আৰু প্ৰতিমা পূজাকাৰীসকলৰ
সৈতে পুৰোহিতসকলৰ নাম লুপ্ত কৰিম; ৫ যিসকলে আকাশৰ
বাহিনীবোৰক ঘৰৰ চালৰ ওপৰত উঠি প্ৰণাম কৰে আৰু যিসকলে
যিহোৱাৰ উদ্দেশ্যে প্ৰণাম কৰি শপত খায়, অথচ পাছত মলকম
দেৱতাৰ নামেৰেও শপত খাই প্ৰণিপাত কৰে, তেওঁলোকক মই
নিঃশেষ কৰিম। ৬ যিসকলে যিহোৱাৰ পাছত চলাৰ পৰা উলটি গৈছে
আৰু তেওঁলোকে যিহোৱাৰ ইচ্ছাত চলা নাই নাইবা তেওঁৰ ইচ্ছা
জানিবলৈও বিচাৰা নাই, সেই সকলোকে মই নিঃশেষ কৰিম।" ৭
প্ৰভু যিহোৱাৰ উপস্থিতিত আপোনালোক নীৰবে থাকক; কিয়নো
যিহোৱাই সোধ-বিচাৰ কৰা দিন ওচৰ চাপি আহিছে; কাৰণ যিহোৱাই
এক যজ্ঞৰ আয়োজন কৰিছে; নিজৰ নিমন্ত্ৰিত লোকসকলক পবিত্ৰ
কৰিলে। ৮ যিহোৱাই এই কথা কৈছে, "মোৰ সেই যজ্ঞৰ দিনা মই
ৰাজ অধ্যক্ষসকলক, ৰাজপুত্ৰসকলক, আৰু বিদেশী পোছক পৰিহিত
সকলো লোককে দণ্ড দিম। ৯ যিসকলে জাঁপ দি দুৱাৰডলি পাৰ হয়,
যিসকলে নিজৰ প্ৰভুৰ গৃহ হিংস্ৰতা আৰু ছলনাৰে পূৰ কৰে, সেই
দিনা মই তেওঁলোক সকলোকে দণ্ড দিম।" ১০ যিহোৱাই কৈছে,
"সেই দিনা মৎস্য-দ্বাৰৰ পৰা যন্ত্ৰণাৰ ক্ৰন্দন শুনা যাব; দ্বিতীয় বিভাগৰ
পৰা বিলাপৰ শব্দ, পৰ্ব্বতবোৰৰ পৰা এক বৃহৎ শব্দ শুনা যাব।
১১ হে মকটেচৰ বাসিন্দাসকল, তোমালোকে বিলাপ কৰা; কিয়নো
তোমালোকৰ সকলো ব্যৱসায়ী লোকক নিঃশেষ কৰা হ'ব; ৰূপ বৈ

অনা সকলোকে নিঃশেষ কৰা হ’ব। ১২ সেই সময়ত মই এটা চাকি
ল’ম আৰু যিৰূচালেমৰ সকলো ঠাইতে বিচাৰিম; যিসকলে তেওঁলোকৰ
দ্ৰাক্ষাৰসতে সন্তুষ্ট থাকে আৰু মনতে কয়, ‘যিহোৱাই মঙ্গল কি অমঙ্গল
একোৱেই নকৰিব’ তেওঁলোকক দণ্ড দিম। ১৩ তেওঁলোকৰ সম্পদ
লুট কৰা হ’ব, তেওঁলোকৰ ঘৰ-বাৰীবোৰ ধ্বংসস্থান হ’ব; এনে কি,
তেওঁলোকে ঘৰ সাজিব, কিন্তু তাত বাস কৰিবলৈ নাপাব; দ্ৰাক্ষাবাৰী
পাতিব, কিন্তু দ্ৰাক্ষাৰস পান কৰিবলৈ নাপাব। ১৪ যিহোৱাৰ সেই মহৎ
দিন নিকটৱৰ্তী; ওচৰ চাপি আহিছে আৰু অতি বেগেৰে আহিছে! সৌৱা
শুনা, সেয়া যিহোৱাৰ সেই দিনৰ শব্দ! তেতিয়া যোদ্ধাসকলে চিঞঁৰি
চিঞঁৰি কান্দোনত ভাঙি পৰিব। ১৫ সেই দিন হ’ব ক্ৰোধৰ দিন, অতি
সঙ্কটময় আৰু ক্লেশৰ দিন, এক ধুমুহা আৰু ধ্বংসৰ দিন, ঘন অন্ধকাৰ
আৰু হতাশাৰ দিন, মেঘাছন্ন আৰু উত্তাল তৰঙ্গৰ অন্ধকাৰৰ দিন, ১৬
শিঙা-ধ্বনি আৰু ৰণনাদৰ দিন; সেই দিন গড়েৰে আবৃত নগৰবোৰৰ
আৰু ওখ কোঁঠবোৰৰ বিপক্ষৰ দিন হ’ব! ১৭ মই লোকসকলৰ ওপৰত
ভীষণ ক্লেশ আনিম; তেওঁলোকে অন্ধ মানুহৰ নিচিনাকৈ ফুৰিব, কাৰণ
যিহোৱাৰ বিৰুদ্ধে তেওঁলোকে পাপ কৰিলে! তেওঁলোকৰ তেজ ধূলিৰ
নিচিনাকৈ পেলাই দিয়া হ’ব! তেওঁলোকৰ দেহ গোবৰৰ নিচিনাকৈ
মাটিত পৰি থাকিব। ১৮ যিহোৱাৰ ক্ৰোধৰ দিনা তেওঁলোকৰ ৰূপ বা
সোণেও তেওঁলোকক উদ্ধাৰ কৰিব নোৱাৰিব; কিন্তু তেওঁৰ অন্তৰ্জ্বালাৰ
তাপত গোটেই দেশ অগ্নিত গ্ৰাসিত হ’ব; কিয়নো পৃথিৱী নিবাসী
সকলোকে তেওঁ নিঃশেষ কৰি দিব; হয়, ভয়ানকভাৱে সংহাৰ কৰিব।

২ হে নিলাজ জাতি, তোমালোক একত্রিত হোৱা, একেলগ হৈ গোট
খোৱা। ২ কিয়নো দণ্ডাজ্ঞাৰ আদেশ জাৰি হোৱাৰ আগেয়ে, সেই দিন
তুঁহৰ দৰে উৰি অহাৰ আগেয়ে; যিহোৱাৰ জ্বলন্ত ক্ৰোধ আপোনালোকৰ
ওপৰলৈ অহাৰ আগেয়ে, যিহোৱাৰ ক্ৰোধৰ দিন আপোনালোকৰ
ওপৰলৈ অহাৰ আগেয়ে, আপোনালোক একত্রিত হওঁক! ৩ হে পৃথিৱীৰ
সমুদায় নম্ৰ লোক, আপোনালোক যিসকলে যিহোৱাৰ শাসন-প্ৰণালী
মানি চলিছে, আপোনালোকে যিহোৱাক বিচাৰক! আপোনালোকে
ধাৰ্মিকতা অনুশীলন কৰক! নম্ৰতাৰ অনুশীলন কৰক! কিজানি যিহোৱাৰ

ক্ৰোধৰ দিনত আপোনালোকে ৰক্ষা পাব। ৪ গাজা জনশূণ্য হ’ব
আৰু অস্কিলোন ধ্বংসস্থান হ’ব; অচ্দোদৰ লোক সমূহক দুপৰ বেলা
খেদাই দিয়া হ’ব, আৰু ইক্ৰোণক উঘালি পেলোৱা হ’ব। ৫ হে
সমুদ্ৰতীৰত বাস কৰা কৰেথীয়া লোকসকল, আপোনালোকৰ সন্তাপ
হ’ব। হে পলেষ্টীয়াসকলৰ দেশ কনান! যিহোৱাই আপোনালোকৰ
বিপক্ষে কৈছে, “কোনো অৱশিষ্ট নথকালৈকে মই তোমাক উচ্ছন্ন
কৰিম।” ৬ সমুদ্ৰ তীৰৰ এলেকা হ’ব চৰণীয়া ভূমি; মেৰ-ছাগ ৰখীয়াৰ
তৃণভূমি আৰু মেৰ-ছাগৰ জাকৰ নিৰাপদ আশ্ৰয়স্থান হ’ব। ৭ সেই
সমুদ্ৰতীৰৰ এলেকা, যিহূদা বংশৰ জীয়াই থকা অৱশিষ্ট লোকৰ
অধিকাৰত থাকিব। তেওঁলোকে তাত মেৰ-ছাগৰ জাক চৰাব; সন্ধিয়া
তেওঁলোকে অস্কিলোনৰ ঘৰত শুই থাকিব; তেওঁলোকৰ ঈশ্বৰ যিহোৱাই
তেওঁলোকক প্ৰতিপালন কৰিব; তেওঁ তেওঁলোকৰ ভৱিষ্যত অৱস্থা
পুণঃস্থাপন কৰিব। ৮ “মই মোৱাবে কৰা উপহাস আৰু অম্মোনৰ
সন্তানবোৰে কৰা গালি-শপনিবোৰ শুনিলো; তেওঁলোকে মোৰ
লোকসকলক তিৰস্কাৰ কৰিলে আৰু নিজৰ দেশ বঢ়াবলৈ লোকসকলৰ
অহিতে সীমা উলঙ্ঘন কৰিলে।” ৯ সেয়ে, বাহিনীগণৰ যিহোৱা,
ইস্ৰায়েলৰ ঈশ্বৰে এইদৰে কৈছে, “মোৰ জীৱনৰ শপত, মোৱাব
নিশ্চয়ে চদোমৰ নিচিনা, আৰু অম্মোনীয়াসকল ঘমোৰাৰ নিচিনা হ’ব;
এক কাঁইটীয়া হাবিৰে ভৰা ঠাই আৰু এক লোণৰ কূপলৈ পৰিণত হ’ব;
চিৰকালৰ পতিত ভূমি হৈ থাকিব; মোৰ প্ৰজাসকলৰ অৱশিষ্ট লোকে
তেওঁলোকক লুট কৰিব আৰু মোৰ জাতিৰ অৱশিষ্ট লোকে তেওঁলোকৰ
দেশ অধিকাৰ কৰিব।” ১০ মোৱাব আৰু অম্মোনৰ অহঙ্কাৰৰ কাৰণেই
তেওঁলোকলৈ এনে ঘটিব; কাৰণ তেওঁলোকে বাহিনীগণৰ যিহোৱাৰ
লোকসকলৰ প্ৰতি ঠাট্টা-বিদ্ৰূপ কৰিলে, আৰু তেওঁলোকৰ অহিতে
নিজৰ দেশ বঢ়াই তুলিছে। ১১ যিহোৱা তেওঁলোকৰ ওচৰত ভীষণৰূপে
ভয়ানক হ’ব; তেওঁ পৃথিৱীৰ সকলো দেৱ-দেবীক শক্তিহীন কৰিব;
তেতিয়া সকলো জাতিৰ লোকে যিহোৱাৰ আৰাধনা কৰিব; নিজ নিজ
দেশৰ পৰা, সমুদ্ৰৰ উপকূলসমূহৰ পৰা তেওঁৰ ওচৰত প্ৰণিপাত
কৰিব। ১২ হে কুচীয়াসকল, তোমালোকো মোৰ তৰোৱালৰ আঘাতত

নিহত হ’বা। ১৩ যিহোৱাই উত্তৰ দিশৰ বিৰুদ্ধে হাত মেলি অচূৰক
বিনষ্ট কৰিব; নীনবি নগৰক একেবাৰে জনশূণ্য আৰু মৰুভূমিৰ দৰে
শুকান ভূমি কৰিব। ১৪ তাৰ পাছত পশুৰ জাক আৰু বন্য প্ৰাণীবোৰে
তাত বাস কৰিব; নগৰৰ ধ্বংসস্তূপবোৰত চৰাই আৰু ফেঁচাবোৰে বাহঁ
সাজি ৰাতি কটাব। খিড়িকীত সিহঁতৰ চিৰিক-চিৰিক এক শব্দ শুনা
যাব; কাউৰীবোৰে খালী ঘৰবোৰৰ দুৱাৰমুখত আহি মাতিব; কিয়নো
ঘৰৰ এৰচ কাঠৰ চটিবোৰ তেওঁ উন্মুক্ত কৰিলে। ১৫ এয়ে সেই নির্ভয়ে
থকা উল্লাসপ্ৰিয়া নীনবি নগৰ; তাই নিজৰ মনতে কয়, “ময়েই আছোঁ,
মোৰ সমান আন কোনো নাই!” তাই কেনেকৈ ধ্বংস হৈ গ’ল! বন্য
পশুৰ আশ্ৰয়স্থল হ’ল! যিসকলে তাইৰ ওচৰেদি যাব, প্ৰতিজনে ইচ ইচ
কৰি ঘৃণা কৰিব আৰু তাইক হাতেৰে ভুকু দেখুৱাব।

৩ ধিক সেই বিদ্ৰোহিনী নগৰ! ধিক ভ্ৰষ্টাচাৰী আৰু অত্যাচাৰকাৰিণী
নগৰ। ২ তাই ঈশ্বৰৰ কথালৈ মনোযোগ নিদিয়ে; যিহোৱাৰ শাসন
গ্ৰাহ্য নকৰে! যিহোৱাৰ ওপৰত ভাৰসা নকৰে; নিজ ঈশ্বৰৰ ওচৰলৈ
তাই নাহে। ৩ তাইৰ ৰাজপুত্ৰবোৰ যেন গর্জ্জনকাৰী সিংহ আৰু
বিচাৰকর্ত্তাবোৰ গধূলি বেলাৰ ক্ষুধাৰ্ত ৰাংকুকুৰ; সিহঁতে ৰাতিপুৱাৰ
কাৰণে একো পেলাই নাৰাখে। ৪ তাইৰ ভাববাদীসকল দাম্ভিক
আৰু বিশ্বাসঘাতক! তাইৰ পুৰোহিতসকলে পবিত্ৰক অপবিত্ৰ কৰিছে
আৰু ব্যৱস্থাৰ বিৰুদ্ধে অনিষ্ট কাৰ্য কৰিছে! ৫ তাইৰ মাজত থকা
যিহোৱা ধাৰ্মিক; তেওঁ কোনো অন্যায় নকৰে; প্ৰতি-ৰাতিপুৱাতে তেওঁ
নিজৰ ন্যায়বিচাৰ কৰে। তেওঁৰ ন্যায় বিচাৰ পোহৰৰ পৰা লুকাই
নাথাকিব, তথাপিও অপৰাধীৰ লজ্জাবোধ নাই। ৬ যিহোৱাই কৈছে,
“মই জাতিবোৰক উচ্ছন্ন কৰিলোঁ, তেওঁলোকৰ কোঁঠবোৰ ধ্বংস
কৰা হ’ল; মই তেওঁলোকৰ আলিবোৰ জনশূন্য কৰিলোঁ; কোনেও
সেইবোৰেদি অহা-যোৱা নকৰে; তেওঁলোকৰ সকলো নগৰ বিনষ্ট হৈ
গ’ল; সেইবোৰত কোনো মানুহ নাই; কোনেও বাস নকৰে। ৭ মই
যিৰূচালেমক ক’লো, ‘এতিয়া তুমি অৱশ্যেই মোক ভয় কৰিবা আৰু
মোৰ শাসন গ্ৰহণ কৰিবা। তাতে তোমাৰ নিবাস উচ্ছন্ন কৰা নহ’ব।’
এয়ে তোমাৰ বিষয়ে মই নিৰূপিত কৰা মোৰ পৰিকল্পনা। কিন্তু তাইৰ

লোকসকলে ৰাতিপুৱাতে উঠি অতি আগ্রহেৰে সৈতে দুষ্টতাৰ কার্যবোৰ
কৰি থাকিল।” ৮ যিহোৱাই এইদৰে কৈছে, “সেইবাবে তোমালোক
সেই দিন পর্যন্ত মোৰ অপেক্ষাত থাকা, যি দিনা মই লুটপাত কৰিবলৈ
উঠিম! কিয়নো মই এয়ে ঠিক কৰিছোঁ যে, জাতিবোৰক মই একগোট
কৰিম, ৰাজ্যবোৰক একত্রিত কৰিম আৰু তেওঁলোকৰ ওপৰত মোৰ
কোপ, মোৰ জ্বলন্ত ক্রোধ ঢালি দিম। মোৰ অন্তৰ্জ্বালাৰ অগ্নিৰে গোটেই
পৃথিৱী গ্রাসিত হ’ব। ৯ তাৰ পাছত মই জাতিবোৰক পবিত্র ওঁঠ দিম
যাতে তেওঁলোকে সকলোৱে কান্ধত কান্ধ মিলাই একে মনেৰে মোৰ
প্রার্থনা কৰিব পাৰে। ১০ মোৰ লোকসকল, যিসকল সিচঁৰিত হৈ
ইথোপীয়া দেশৰ নৈৰ সিপাৰত থাকে, মোৰ সেই আৰাধনাকাৰীসকলে
মোৰ উদ্দেশ্যে উৎসর্গৰ উপহাৰ লৈ আহিব। ১১ তুমি মোৰ আহিতে
যি যি অপৰাধ কৰিলা, তাৰ বাবে তোমাক সেই দিনা লজ্জিত কৰা
নহ’ব। কিয়নো সেই সময়ত অহংকাৰত উল্লাস কৰোঁতা লোকসকলক
মই তোমাৰ মাজৰ পৰা দূৰ কৰিম; তাতে মোৰ পবিত্র পৰ্ব্বতৰ
ওপৰত তুমি পুনৰ কেতিয়াও অহংকাৰ নকৰিবা। ১২ কিন্তু মই তোমাৰ
মাজত এক নম্র আৰু দুখী দৰিদ্র জাতিক অৱশিষ্ট ৰাখিম; তেওঁলোকে
যিহোৱাৰ নামত নির্ভৰ কৰিব। ১৩ ইস্রায়েলৰ সেই অৱশিষ্ট ভাগে
অপৰাধ নকৰিব; তেওঁলোকে মিছা কথা নকব আৰু তেওঁলোকৰ
মুখত ছলনাৰ কথা নাথাকিব। এইদৰে তেওঁলোকে চৰিব আৰু শুব;
তেওঁলোকক ভয় দেখুৱাবলৈ কোনো নাথাকিব।” ১৪ হে চিয়োন-
কন্যা, গান গোৱা! হে ইস্রায়েল, জয়-ধ্বনি কৰা; হে যিৰূচালেম-কন্যা,
সমস্ত মনেৰে সৈতে আনন্দ আৰু উল্লাস কৰা! ১৫ যিহোৱাই তোমাৰ
দণ্ডবোৰ দূৰ কৰিলে; তোমাৰ শত্রুবোৰক খেদি দিলে; ইস্রায়েলৰ
ৰজা যিহোৱা তোমাৰ মাজত আছে; তুমি আৰু কেতিয়াও অমঙ্গলৈ
ভয় নকৰিবা। ১৬ সেই দিনা যিৰূচালেমক এই কথা কোৱা হ’ব, ‘হে
চিয়োন, তুমি ভয় নকৰিবা; তোমাৰ হাত শিথিল নহওক।। ১৭ তোমাৰ
ঈশ্বৰ যিহোৱা তোমাৰ মাজত আছে; সেই পৰাক্রমীজনে তোমাক ৰক্ষা
কৰিব; তেওঁ আনন্দেৰে সৈতে তোমাৰ বিষয়ে উল্লাস কৰিব; তেওঁ
তেওঁৰ গভীৰ প্রেমেৰে সৈতে তোমাৰ বিষয়ে নীৰব হ’ব। তেওঁ গানেৰে

সৈতে তোমাৰ বিষয়ে আনন্দ কৰিব। ১৮ পৰ্ব্বৰ সময়ত আনন্দ কৰা
মানুহৰ দৰে আনন্দ কৰিব।" যিহোৱাই কৈছে, "মই তোমাৰ লজ্জা
আৰু বিনাশৰ ভয়বোৰ দূৰ কৰিম। ১৯ চোৱা! তোমাৰ উপদ্ৰৱকাৰীলৈ
সেই সময়ত মই যি কৰিব লাগে, তাকে কৰিম; মই সহায়হীন খোৰাক
ৰক্ষা কৰিম আৰু খেদি দিয়াত সিচঁৰিত হোৱাসকলক গোটাম; যি যি
দেশত তেওঁলোক লজ্জিত হৈছিল, সেই সকলোতে মই তেওঁলোকক
প্ৰশংসা আৰু সুখ্যাতি দান কৰিম। ২০ সেই সময়ত মই তোমালোকক
একেলগ কৰি লৈ আনিম; সেই সময়ত মই তোমালোকক একত্ৰিত
কৰিম; কিয়নো, মই যেতিয়া তোমালোকৰ ভৰিষ্যত পুনৰ গঠণ কৰিম,
তেতিয়া পৃথিৱীৰ সকলো জাতিৰ মাজত মই তোমালোকক এক
সুখ্যাতি আৰু প্ৰশংসা দান কৰিম আৰু তোমালোকে তাক দেখা পাবা।"

# হগয়

১ ৰজা দাৰিয়াবচৰ ৰাজত্বৰ দ্বিতীয় বছৰৰ, ষষ্ঠ মাহৰ প্ৰথম দিনা,
যিহূদাৰ শাসনকৰ্ত্তা চল্টীয়েলৰ পুত্ৰ জৰুব্বাবিললৈ, আৰু যিহোচাদকৰ
পুত্ৰ প্ৰধান পুৰোহিত যিহোচূৱালৈ ভাববাদী হগ্গয়ৰ দ্বাৰাই যিহোৱাৰ
বাক্য আহিল, আৰু তেওঁ ক'লে, ২ "বাহিনীসকলৰ যিহোৱাই এই
কথা কৈছে: 'এই লোকসকলে কয়, "যিহোৱাৰ গৃহ নিৰ্মাণ কৰিবলৈ,
এতিয়াই আমাৰ অহাৰ সময় নহয়"।" ৩ সেয়ে ভাববাদী হগ্গয়ৰ দ্বাৰাই
যিহোৱাৰ বাক্য আহিল, আৰু ক'লে, ৪ "তোমাৰ বাবে এইটোৱেই
সময় যে, তুমি তোমাৰ সম্পূৰ্ণ হোৱা ঘৰত বাস কৰা। যিহেতু এই
ঘৰ ধ্বংস হৈছিল।" ৫ সেয়ে এতিয়া বাহিনীসকলৰ যিহোৱাই এই
কথা কৈছে: তোমালোকৰ পথ বিবেচনা কৰা! ৬ তোমালোকে অধিক
গুটি সিঁচিছিলা, কিন্তু অলপহে চপালা; তোমালোকে খোৱা, কিন্তু
তোমালোকৰ যথেষ্ট পৰিমাণে নাথাকে; তোমালোকে পান কৰা, কিন্তু
মতলীয়া নোহোৱা; তোমালোকে বস্ত্ৰ পিন্ধা, কিন্তু তোমালোকে উম
নোপোৱা; উপাৰ্জকে উপাৰ্জন কৰা ধন কেৱল বিন্ধা থকা মোনাত
থ'বলৈ উপাৰ্জন কৰে!' ৭ বাহিনীসকলৰ যিহোৱাই এই কথা কৈছে:
'তোমালোকৰ পথ বিবেচনা কৰা! ৮ পৰ্ব্বতলৈ উঠি গৈ কাঠ আনা; আৰু
মোৰ গৃহ নিৰ্মাণ কৰা। যিহোৱাই কৈছে, "তেতিয়াহে মই সন্তুষ্ট হ'ম,
আৰু মই গৌৰৱান্বিত হ'ম!' ৯ 'তোমালোকে অধিকৰ বাবে প্ৰত্যাশা
কৰা, কিন্তু চোৱা! মই ফু মাৰি উৰুৱাই দিয়াৰ বাবে তোমালোকে
অলপহে ঘৰলৈ আনিলা। কিয়? এই বুলি বাহিনীসকলৰ যিহোৱাই
ঘোষণা কৰিছে! কাৰণ, মোৰ গৃহটি উচ্ছন্ন হৈ পৰি আছে, তথাপিও
তোমালোকৰ প্ৰতিজনে নিজৰ ঘৰত সন্তুষ্ট হৈ আছা। ১০ এই কাৰণে
আকাশে তোমালৈ নিয়ৰ বৰষাবলৈ প্ৰতিৰোধ কৰি ৰাখিছে, আৰু
পৃথিৱীয়ে উৎপাদন আটক কৰি ৰাখিছে। ১১ মই দেশ, পৰ্ব্বত, আৰু
শস্যৰ ওপৰত, নতুন দ্ৰাক্ষাৰস, তেল, আৰু ভূমিয়ে উৎপন্ন কৰা
বস্তুৰ ওপৰত, আৰু মানুহ, পশু, আৰু তোমালোকৰ হাতৰ পৰিশ্ৰমৰ
সকলো ফলৰ ওপৰত খৰাং মাতিলো'।" ১২ তেতিয়া চল্টীয়েলৰ
পুত্ৰ জৰুব্বাবিল, যিহোচাদকৰ পুত্ৰ প্ৰধান পুৰোহিত যিহোচূৱা, আৰু

লোকসকলৰ সকলো ইস্ৰায়েলৰ অৱশিষ্ট লোকে তেওঁলোকৰ ঈশ্বৰ
যিহোৱাৰ বাক্য, আৰু তেওঁলোকৰ ঈশ্বৰ যিহোৱাই পঠোৱা ভাববাদী
হগ্গয়ৰ কথা শুনিলে, আৰু লোকসকলে যিহোৱালৈ ভয় কৰিলে। ১৩
তেতিয়া যিহোৱাৰ বাৰ্ত্তাবাহক হগ্গয়ে যিহোৱাৰ বাৰ্ত্তা লোকসকলক
ক'লে, "'মই তোমালোকৰ লগত আছোঁ!' এয়ে যিহোৱাৰ ঘোষণা!"
১৪ সেয়ে যিহোৱাই যিহূদাৰ শাসনকৰ্ত্তা চল্টীয়েলৰ পুত্ৰ জৰুব্বাবিল,
যিহোচাদকৰ পুত্ৰ প্ৰধান পুৰোহিত যিহোচূৱা, আৰু জনসাধাৰণৰ
অৱশিষ্ট লোকসকলৰ আত্মা উত্তেজিত কৰিলে; সেই বাবে তেওঁলোকে
বাহিনীসকলৰ ঈশ্বৰ যিহোৱাৰ গৃহৰ কাম কৰিবলৈ গ'ল, ১৫ তেতিয়া
ৰজা দাৰিয়াবচৰ ৰাজত্বৰ দ্বিতীয় বছৰৰ ষষ্ঠ মাহৰ চৌবিশ দিন
আছিল।

২ ৰজা দাৰিয়াবচৰ ৰাজত্ব কালৰ দ্বিতীয় বছৰৰ সপ্তম মাহৰ একৈশ
দিনৰ দিনা ভাববাদী হগ্গয়ৰ দ্বাৰাই যিহোৱাৰ বাক্য পুনৰ আহিল,
২ "যিহূদাৰ শাসনকৰ্ত্তা চল্টীয়েলৰ পুত্ৰ জৰুব্বাবিল, যিহোচাদকৰ
পুত্ৰ প্ৰধান পুৰোহিত যিহোচূৱা, আৰু জনসাধাৰণৰ মাজৰ অৱশিষ্ট
লোকক এই কথা কোৱা, ৩ তোমালোকৰ মাজত কোন আছে?
যিজনে এই গৃহৰ পূৰ্বৰ গৌৰৱ দেখিছে; আৰু এতিয়া এই গৃহ কেনে
দেখিছা? তোমালোকৰ দৃষ্টিত এয়ে একো নোহোৱাৰ দৰে নহয়
নে? ৪ 'হে জৰুব্বাবিল বলৱান হোৱা!' যিহোৱাই এই কথা ঘোষণা
কৰিছে, যিহোচাদকৰ পুত্ৰ হে প্ৰধান পুৰোহিত যিহোচূৱা, তুমিও
বলৱান হোৱা; আৰু যিহোৱাই কৈছে, দেশৰ সকলো লোক তোমালোক
বলৱান হোৱা, আৰু কাৰ্য কৰা; কাৰণ বাহিনীসকলৰ যিহোৱাই কৈছে,
'মই তোমালোকৰ লগত আছোঁ!' ৫ তোমালোক যেতিয়া মিচৰৰ
পৰা ওলাই আহিলা, তেতিয়া প্ৰতিজ্ঞাবোৰ অন্তৰ্ভুক্ত কৰাৰ দ্বাৰাই,
মই তোমালোকৰ সৈতে নিয়ম স্থাপন কৰিলোঁ। আৰু মোৰ আত্মা
তোমালোকৰ মাজত স্থিতি ল'লে; সেয়ে তোমালোকে ভয় নকৰিবা। ৬
কাৰণ বাহিনীসকলৰ যিহোৱাই এই কথা কৈছে, 'খন্তেক পাছতে, মই
আৰু এবাৰ আকাশ-মণ্ডল, পৃথিৱী, সমুদ্ৰ আৰু শুকান ভূমি কঁপাম!
৭ আৰু মই প্ৰত্যেক দেশবোৰক কঁপাম, আৰু প্ৰত্যেক দেশে মোলৈ

বহুমূল্যৱান বস্তু আনিব; বাহিনীসকলৰ যিহোৱাই কৈছে, মই এই গৃহ গৌৰৱেৰে পৰিপূৰ্ণ কৰিম।
৮ বাহিনীসকলৰ যিহোৱাই কৈছে, ৰূপ আৰু সোণবোৰ মোৰ।
৯ বাহিনীসকলৰ যিহোৱাই কৈছে, এই গৃহৰ পূৰ্বৰ প্ৰতাপতকৈ ভবিষ্যতৰ প্ৰতাপ অধিক হ'ব, আৰু বাহিনীসকলৰ যিহোৱাই এইদৰে ঘোষণা কৰিছে, এই ঠাইত মই শান্তি দান কৰিম।
১০ ৰজা দাৰিয়াবচৰ ৰাজত্বৰ দ্বিতীয় বছৰৰ নৱম মাহৰ চৌবিশ দিনৰ দিনা, ভাববাদী হগ্গয়ৰ দ্বাৰাই যিহোৱাৰ বাক্য আহিল,
১১ “বাহিনীসকলৰ যিহোৱাই এই কথা কৈছে, ‘তুমি পুৰোহিতসকলক বিধানৰ বিষয়ে সোধা আৰু কোৱা:
১২ কোনোৱে যদি নিজৰ বস্ত্ৰত পবিত্ৰ মাংস বান্ধি লৈ যায়, আৰু যদি পিঠা, সিজোৱা দাইল, দ্ৰাক্ষাৰস, তেল, বা আন কোনো খোৱা বস্তু তেওঁৰ সেই বান্ধি লৈ যোৱা বস্ত্ৰত লাগে, তেনেহ'লে সেই খোৱা বস্তুবোৰ পবিত্ৰ হ'ব নে'?”” পুৰোহিত সকলে উত্তৰ দি ক'লে, “নহ'ব।”
১৩ তেতিয়া হগ্গয়ে ক'লে, “মৰা শৱ চুই অশুচি হোৱা কোনো মানুহে যদি সেইবোৰৰ মাজৰ পৰা কোনো বস্তু চোৱে, তেনেহ'লে সেয়ে অশুচি হ'ব নে?” পুৰোহিতসকলে উত্তৰ দি ক'লে, “হয়, সেয়ে অশুচি হ'ব।”
১৪ তেতিয়া হগ্গয়ে উত্তৰ দি ক'লে, “যিহোৱাই কৈছে, মোৰ আগত এই লোকসকল আৰু এই দেশ তেনেকুৱা, আৰু তেওঁলোকৰ হাতৰ সকলো কাৰ্যও তেনেকুৱা। তেওঁলোকে মোলৈ যি উৎসৰ্গ কৰে, সেইবোৰ অশুচি।
১৫ সেয়ে এতিয়া যিহোৱাৰ মন্দিৰত শিলৰ ওপৰত শিল স্থাপন নকৰা দিনৰে পৰা আজিলৈকে সেইবোৰ দিন বিবেচনা কৰা।
১৬ কোনো মানুহে যেতিয়াই শস্যৰ দ'মৰ পৰা বিশ জোখৰ শস্য ল'বলৈ আহে, তেতিয়া তাত কেৱল দহ জোখৰ শস্য মাথোন পায়, আৰু কোনো মানুহে যেতিয়া পঞ্চাশ কলহ দ্ৰাক্ষাৰস ল'বলৈ দ্ৰাক্ষাকুণ্ডলৈ আহে, তেতিয়া তাত কেৱল বিশ কলহহে পায়।
১৭ যিহোৱাই এই কথা কৈছে, মই তোমালোকক দুৰ্দশাগ্ৰস্ত কৰিলোঁ, আৰু তোমালোকৰ হাতৰ সকলো উৎপন্ন উদ্ভিদ ৰোগেৰে নষ্ট কৰিলোঁ, তথাপিও তোমালোকে এতিয়ালৈ মোলৈ ঘূৰি অহা নাই।
১৮ ‘নৱম মাহৰ চৌবিশ দিনলৈকে যিমান দিন অতীত হৈ গ'ল, আৰু যিহোৱাৰ মন্দিৰৰ ভিত্তিমূল স্থাপন কৰা দিনৰে

পৰা আজিলৈকে সকলো দিন বিবেচনা কৰা! ১৯ ভঁৰালত এতিয়ালৈকে
শস্য আছে নে? দ্ৰাক্ষালতা, ডিমৰু গছ, ডালিম, আৰু জিত গছে ফল
দিয়া নাছিল; কিন্তু আজিৰ পৰা মই তোমাক আশীৰ্ব্বাদ কৰিম'।”
২০ তাৰ পাছত ৰজা দাৰিয়াবচৰ ৰাজত্ব কালৰ দ্বিতীয় বছৰৰ সপ্তম
মাহৰ চৌবিশ দিনৰ দিনা যিহোৱাৰ বাক্য দ্বিতীয়বাৰ হগ্গয়লৈ আহিল,
আৰু তেওঁ ক'লে, ২১ “যিহূদাৰ শাসনকৰ্ত্তা জৰুব্বাবিলক কোৱা, মই
আকাশ-মণ্ডল আৰু পৃথিৱী কঁপাম; ২২ মই ৰাজ্যবোৰৰ সিংহাসন
লুটিয়াই পেলাম, আৰু দেশৰ ৰাজ্যবোৰৰ শক্তি নাশ কৰিম, আৰু
ৰথ আৰু ৰথৰ আৰোহীসকলক লুটিয়াই পেলাম; ঘোঁৰা আৰু ঘোঁৰাৰ
আৰোহী প্ৰতিজনক নিজৰ ভায়েকৰ তৰোৱালেৰে আঘাত কৰি তলত
পেলোৱা হ'ব। ২৩ বাহিনীসকলৰ যিহোৱাই এই ঘোষণা কৰিছে,
সেই দিনা মোৰ দাস চল্টীয়েলৰ পুত্ৰ জৰুব্বাবিলক মই গ্ৰহণ কৰিম;
আৰু মই তোমাক মোৰ আঙঠিত মোহৰৰ দৰে স্থাপন কৰিম; কাৰণ,
বাহিনীসকলৰ যিহোৱাই কৈছে, মই তোমাক মনোনীত কৰিলোঁ!'

# জাখাৰিয়া

১ দাৰিয়াবচৰ ৰাজত্বৰ দ্বিতীয় বছৰৰ অষ্টম মাহত, ইদ্দোৰ নাতিয়েক
বেৰেখিয়াৰ পুত্ৰ জখৰিয়া ভাববাদীৰ ওচৰলৈ যিহোৱাৰ বাক্য আহিল:
২ “যিহোৱাই তোমালোকৰ পূৰ্বপুৰুষসকলৰ ওপৰত অতিশয় অসন্তুষ্ট
হৈছিল! ৩ সেই কাৰণে তুমি লোকসকলক কোৱা: ‘বাহিনীসকলৰ
যিহোৱাই এই কথা কৈছে, “তোমালোকে মোলৈ ঘূৰা!” এয়ে
বাহিনীসকলৰ যিহোৱাৰ বাক্য; “তেতিয়া মই তোমালোকলৈ ঘূৰিম!”
এই কথা বাহিনীসকলৰ যিহোৱাই কৈছে। ৪ তোমালোকৰ পূৰ্ব-
পুৰুষসকলৰ নিচিনা তোমালোক নহ’বা; যিসকলৰ আগত আগৰ
কালৰ ভাববাদীসকলে কৈছিল, “বাহিনীসকলৰ যিহোৱাই এই কথা
কৈছে: তোমালোকে নিজ নিজ কু-পথৰ, আৰু নিজ নিজ কু-কাৰ্যৰ
পৰা ঘূৰা!” কিন্তু তেওঁলোকে সেই কথা নুশুনিলে, বা মোলৈ কাণ
নিদিলে।” এয়ে যিহোৱাৰ ঘোষণা। ৫ “তোমালোকৰ পূৰ্বপুৰুষসকল
ক’ত? আৰু ভাববাদীসকল চিৰকাললৈকে জীয়াই আছে নে? ৬
কিন্তু মোৰ দাস ভাববাদীসকলক মই আজ্ঞা কৰা মোৰ বাক্য আৰু
নিয়মবোৰ তোমালোকৰ পূৰ্বপুৰুষসকলৰ কাণত পৰা নাছিল নে?
তেতিয়া তেওঁলোকে মন পালটন কৰি ক’লে, ‘আমাৰ আচাৰ-ব্যৱহাৰ
আৰু আমাৰ কাৰ্য অনুসাৰে আমালৈ কৰিবৰ কাৰণে বাহিনীসকলৰ
যিহোৱাই থিৰ কৰাৰ দৰে তেওঁ আমালৈ কৰিলে’।” ৭ দাৰিয়াবচৰ
ৰাজত্বৰ দ্বিতীয় বছৰৰ একাদশ, অৰ্থাৎ চবাট মাহৰ চৌবিশ দিনৰ
দিনা ইদ্দোৰ নাতিয়েক বেৰেখিয়াৰ পুত্ৰ জখৰিয়া ভাববাদীক যিহোৱাৰ
দ্বাৰাই এই বাক্য জনোৱা হ’ল, ৮ “মই ৰাতি দৰ্শনত দেখিলোঁ যে,
এজন লোকে এটা ৰঙা ঘোঁৰাত উঠি সমতলত থকা মেন্দি গছবোৰৰ
মাজত থিয় হৈ আছিল; আৰু তেওঁৰ পাছত ৰঙা, মুগা আৰু বগা বৰণীয়া
কেইবাটাও ঘোঁৰা আছিল। ৯ তেতিয়া মই সুধিলোঁ, “হে মোৰ প্ৰভু,
এইবোৰ কি বস্তু?” তেতিয়া মোৰ লগত কথা হোৱা দূতজনে মোক
ক’লে, “এইবোৰ কি বস্তু সেই বিষয়ে মই তোমাক দেখুৱাম।” ১০
তেতিয়া মেন্দি গছবোৰৰ মাজত থিয় দি থকা সেই লোকজনে উত্তৰ
দি ক’লে, “পৃথিৱীত চাৰিওফালে ফুৰিবলৈ যিহোৱাই পঠোৱা লোক

এইসকল।” ১১ তেতিয়া তেওঁলোকে মেন্দি গছবোৰৰ মাজত থিয় হৈ
থকা যিহোৱাৰ দূতজনাক উত্তৰ দি ক’লে, “আমি পৃথিৱীৰ সকলো
ফালে ফুৰিলোঁ আৰু চোৱা, গোটেই পৃথিৱী সুস্থিৰ আৰু বিশ্ৰামে আছে।”
১২ তেতিয়া যিহোৱাৰ দূতজনে উত্তৰ দি ক’লে, “হে বাহিনীসকলৰ
যিহোৱা, যি যিৰূচালেমৰ, আৰু যিহূদাৰ নগৰবোৰৰ অহিতে আপুনি
এই সত্তৰ বছৰ ক্ৰোধ কৰিয়েই আছে, সেই যিৰূচালেম আৰু যিহূদাৰ
সেই নগৰবোৰৰ ওপৰত আপুনি কিমান কাললৈ দয়া নকৰাকৈ
থাকিব?” ১৩ তেতিয়া যিহোৱাই মোৰে সৈতে কথা হোৱা দূতজনক
উত্তম বাক্য, এনে কি, শান্ত্বনাদায়ক বাক্যেৰে উত্তৰ দিলে। ১৪ তেতিয়া
মোৰ লগত কথা হোৱা দূতজনে মোক ক’লে, “তুমি ঘোষণা কৰি
কোৱা, ‘বাহিনীসকলৰ যিহোৱাই এই কথা কৈছে: “মই যিৰূচালেম
আৰু চিয়োনৰ অৰ্থে মহা অন্তৰ্জ্বালাৰে জ্বলিছোঁ। ১৫ আৰু নিশ্চিন্তে
থকা জাতি সমূহৰ ওপৰত মই অতিশয় অসন্তুষ্ট হৈছোঁ; কিয়নো মই
কেৱল অলপ অসন্তুষ্ট হোৱাত, তেওঁলোক অমঙ্গলৰ অৰ্থে সাহায্য
কৰোঁতা হ’ল।” ১৬ এই হেতুকে যিহোৱাই এই কথা কৈছে: “মই
নানা দয়াৰে সৈতে যিৰূচালেমলৈ ঘূৰিলোঁ; তাত মোৰ গৃহ সজা হ’ব।”
বাহিনীসকলৰ যিহোৱাৰ এই বচন- “আৰু যিৰূচালেমৰ ওপৰত এডাল
পৰিমাণ-জৰী বিস্তাৰ কৰা হ’ব!” ১৭ তুমি আকৌ ঘোষণা কৰি কোৱা,
‘বাহিনীসকলৰ যিহোৱাই এই কথা কৈছে: ‘মোৰ নগৰবোৰ পুনৰায়
মঙ্গলেৰে উপচি পৰিব, যিহোৱাই চিয়োনক পুনৰায় শান্ত্বনা কৰিব আৰু
যিৰূচালেমক আকৌ মনোনীত কৰিব।” ১৮ পাছত চকু তুলি চাই মই
চাৰিটা শিং দেখিলোঁ। ১৯ তেতিয়া মোৰ লগত কথা হোৱা দূতজনক
মই সুধিলোঁ, “এইবোৰ কি?” তেতিয়া তেওঁ মোক উত্তৰ দি ক’লে,
“যিহূদা, ইস্ৰায়েল আৰু যিৰূচালেমক ছিন্ন-ভিন্ন কৰা শিং এইবোৰ।” ২০
তাৰ পাছত যিহোৱাই মোক চাৰিজন শিল্পকাৰ দেখুৱালে। ২১ তেতিয়া
মই সুধিলোঁ, “এওঁলোকে কি কৰিবলৈ আহিছে?” তেওঁ উত্তৰ দি ক’লে,
“যি কোনো মানুহকে নিজৰ মূৰ দাঙিব নোৱাৰাকৈ যিহূদাক ছিন্ন-
ভিন্ন কৰা শিং এইবোৰ; কিন্তু যি জাতিবোৰে যিহূদা দেশ ছিন্ন-ভিন্ন

কৰিবলৈ নিজ নিজ শিং তুলিছিল, সেই জাতিবোৰক ত্ৰাসিত কৰিবলৈ
আৰু তেওঁলোকৰ শিংবোৰ ভাঙি পেলাবলৈ, এওঁলোক আহিছে।

**২** তাৰ পাছত মই চকু তুলি চাই হাতত এডাল পৰিমান-জৰী লোৱা
এজন পুৰুষক দেখিলোঁ। ২ তেতিয়া মই সুধিলোঁ, “আপুনি ক’লৈ যায়?”
তেতিয়া তেওঁ মোক ক’লে, “যিৰূচালেমৰ দৈৰ্ঘ্য আৰু প্ৰস্থ কিমান,
তাক জুখি নিৰ্ণয় কৰিবলৈ যাওঁ।” ৩ তেতিয়া মোৰে সৈতে কথা হোৱা
দূতজন আগবাঢ়ি গ’ল, আৰু আন এজন দূতে তেওঁৰ লগত সাক্ষাৎ
কৰিবলৈ ওলাই আহিল। ৪ আৰু দ্বিতীয় দূতজনে তেওঁক ক’লে, “তুমি
বেগাই যোৱা আৰু সেই ডেকাক এই কথা কোৱা, ‘যিৰূচালেম গড়
নোহোৱা গাওঁৰ নিচিনা বসতিস্থান হ’ব; যিৰূচালেমৰ মাজত থকা
অধিক মানুহ আৰু পশুৰ কাৰণে। ৫ কিয়নো যিহোৱাই কৈছে, ‘ময়েই
তাৰ চাৰিওফালে অগ্নিৰ গড়, আৰু তাৰ মাজত গৌৰৱস্বৰূপ হ’ম। ৬
যিহোৱাই কৈছে, হে লোকসকল, হে লোকসকল! তোমালোক উত্তৰ
দেশৰ পৰা পলাই যোৱা; কিয়নো যিহোৱাই কৈছে, ‘আকাশৰ চাৰি
বায়ুৰে কৰা নিচিনাকৈ মই তোমালোকক ছিন্ন-ভিন্ন কৰিলোঁ!’ ৭ ‘বাবিল
জীয়াৰীয়ে সৈতে প্ৰবাস কৰা হে চিয়োন, ৰক্ষাৰ অৰ্থে পলোৱা’।”
৮ কিয়নো বাহিনীসকলৰ যিহোৱাই মোক সন্মানিত কৰিলে, আৰু
তোমালোকক লুণ্ঠণ কৰা জাতিবোৰৰ ওচৰলৈ তেওঁ মোক পঠিয়ালে;
কাৰণ যিজনে তোমালোকক স্পৰ্শ কৰে, সেইজনে তেওঁৰ চকুৰ মণি
স্পৰ্শ কৰে। ৯ কিয়নো চোৱা, মই যেতিয়া সিহঁতৰ ওপৰত মোৰ হাত
জোকাৰিম; তেতিয়া সিহঁত সেই লোকসকলৰ বন্দীকাম কৰা লোকৰ
লুটদ্ৰব্য হ’ব।” আৰু বাহিনীসকলৰ যিহোৱাই যে মোক পঠিয়ালে,
তেতিয়া তোমালোকে জানিবা। ১০ “হে চিয়োন জীয়াৰী, গীত গাই
আনন্দ কৰা;” কিয়নো, যিহোৱাই কৈছে, চোৱা, “মই আহিছোঁ, আৰু
মই তোমালোকৰ মাজত বাস কৰিম!” ১১ তেতিয়া সেই দিনা অনেক
জাতিয়ে যিহোৱাৰ লগ ল’ব। তেওঁ ক’ব, “তোমালোক মোৰ প্ৰজা
হ’বা; আৰু মই তোমাৰ মাজত বাস কৰিম।” তেতিয়া বাহিনীসকলৰ
যিহোৱাই যে মোক তোমাৰ ওচৰলৈ পঠালে, ইয়াকে তুমি জানিবা।
১২ আৰু যিহোৱাই পবিত্ৰ দেশত নিজ অংশস্বৰূপে যিহূদা অধিকাৰ

কৰিব আৰু পুনৰায় যিৰূচালেমক মনোনীত কৰিব। ১৩ হে সমূদায়
লোক, যিহোৱাৰ আগত মনে মনে থাকা; কিয়নো তেওঁ স্বৰ্গৰ পৰা
জাগি উঠিছে!

৩ তেতিয়া যিহোৱাই দূতজনাৰ আগত প্ৰধান পুৰোহিত যিহোচূৱাক
থিয় হৈ থকা দেখুৱালে আৰু তেওঁৰ অহিতে শক্ৰুতা দেখুৱাবৰ কাৰণে
তেওঁৰ সোঁহাতে চয়তানক থিয় হৈ থকা যেন তেওঁ মোক দেখুৱালে।
২ তেতিয়া যিহোৱাৰ দূতে চয়তানক ক'লে, "হে চয়তান, যিহোৱাই
তোমাক ধমকি দিয়ক; যিজনে যিৰূচালেমক মনোনীত কৰিলে, তেওঁ
তোমাক ধমকি দিয়ক! এওঁ জুইৰ পৰা উলিয়াই অনা আধা পোৰা
খৰি যেন নহয় নে?" ৩ সেই সময়ত যিহোচূৱাই মলিন বস্ত্ৰ পিন্ধি
দূতজনৰ আগত থিয় হৈ আছিল, ৪ সেইবাবে দূতে ক'লে আৰু
তেওঁৰ আগত থিয় হৈ থকাসকলক ক'লে, "এওঁৰ গাৰ পৰা মলিন বস্ত্ৰ
সোলোকাই পেলোৱা।" তেতিয়া তেওঁ যিহোচূৱাক ক'লে, "চোৱা! মই
তোমাৰ অপৰাধ তোমাৰ পৰা আতৰালোঁ, আৰু মই তোমাক উত্তম
বস্ত্ৰ পিন্ধাম।" ৫ মই কলোঁ, "তেওঁৰ মূৰত তোমালোকে এটা পাগুৰি
পিন্ধাই দিয়া!" এইদৰে যিহোৱাৰ দূত যেতিয়া তেওঁলোকৰ ওচৰত থিয়
হৈ আছিল, তেতিয়া তেওঁলোকে যিহোচূৱাৰ মুৰত এটা শুচি পাগুৰি
পিন্ধাই দিলে, আৰু তেওঁক বস্ত্ৰ পিন্ধালে। ৬ তাৰ পাছত যিহোৱাৰ
দূতজনাই যিহোচূৱাক শ্ৰদ্ধাৰে আজ্ঞা কৰি ক'লে, ৭ "বাহিনীসকলৰ
যিহোৱাই এই কথা কৈছে: তুমি যদি মোৰ পথত চলা, আৰু মোৰ
আজ্ঞাবোৰ যদি পালন কৰা, তেনেহ'লে তুমি মোৰ গৃহটিৰ কাৰ্য চলাবা
আৰু মোৰ চোতালখন ৰাখিবা; কাৰণ মোৰ আগত থিয় হৈ থকা এই
লোকসকলৰ মাজত, মই তোমাক অহা যোৱা কৰিবলৈ অধিকাৰ
দিম। ৮ হে প্ৰধান পুৰোহিত যিহোচূৱা, শুনা, তুমি আৰু তোমাৰ
আগত বহি থকা লগৰীয়াসকল শুনা! কিয়নো তেওঁলোকেই চিনস্বৰূপ
লোক, কাৰণ চোৱা, মই মোৰ দাসৰ এটি গজালি উৎপন্ন কৰিম। ৯
এতিয়া যিহোচূৱাৰ আগত মই স্থাপন কৰা শিলটোলৈ চোৱা। এইটো
শিলৰ ওপৰতেই সাতোটা চকু ৰখা হৈছে', বাহিনীসকলৰ যিহোৱাই
কৈছে, 'চোৱা, মই তাৰ উপযুক্ত শিলালিপি খোদিত কৰিম, 'আৰু

এই দেশৰ পাপসমূহ একেদিনাই মচি পেলাম'। ১০ বাহিনীসকলৰ
যিহোৱাই কৈছে, 'সেইদিনা প্ৰতিজনে নিজৰ ওচৰ-চুবুৰীয়াক নিজ নিজ
দ্ৰাক্ষালতাৰ ডালৰ ওচৰলৈ আৰু ডিমৰু গছজোপাৰ তললৈ নিমন্ত্ৰণ
কৰিবা।

**4** পাছত মোৰে সৈতে কথা হোৱা দূতজন পুনৰ উভতি আহিল, আৰু
টোপনিত থকা মানুহক জগোৱাৰ দৰে মোক জগালে। ২ তেওঁ মোক
ক'লে, "তুমি কি দেখিছা?" তেতিয়া মই ক'লোঁ, "মই সম্পূৰ্ণ সোণেৰে
নিৰ্মান কৰা এক দীপাধাৰ দেখিছোঁ; তাৰে ওপৰত এটা পাত্ৰ আছে।
তাতে সেই পাত্ৰৰ ওপৰত সাতোটা প্ৰদীপ আছে, আৰু তাৰ ওপৰত
থকা প্ৰত্যেক দীপাধাৰাৰ সৈতে সাতডালকৈ শলিতা আছে; ৩ আৰু
তাৰ ওচৰত দুজোপা জিতগছ আছে, এজোপা তেলধাৰৰ সোঁফাল
আৰু আনজোপা তাৰ বাওঁফালে।" ৪ পাছত মোৰে সৈতে কথা হোৱা
দূতজনক আকৌ মই সুধিলোঁ, "হে মোৰ প্ৰভু এইবোৰৰ অৰ্থ কি?" ৫
তেতিয়া মোৰে সৈতে কথা হৈ থকা দূতজনে উত্তৰ দি মোক ক'লে,
"ইয়াকো তুমি নাজানা নে?" মই ক'লো, "হে মোৰ প্ৰভু, মই নাজানো।"
৬ তেতিয়া তেওঁ উত্তৰ দি মোক এই কথা ক'লে, "জৰুব্বাবিললৈ অহা
যিহোৱাৰ বাক্য এই, 'শক্তি বা পৰাক্ৰমৰ দ্বাৰাই নহয়, কিন্তু মোৰ
আত্মাৰ দ্বাৰাইহে,' ইয়াক বাহিনীসকলৰ যিহোৱাই কৈছে।" ৭ "হে বৃহৎ
পৰ্ব্বত, তুমি কোন? জৰুব্বাবিলৰ আগত তুমি সমথল হৈ যাবা, আৰু
'অনুগ্ৰহ, ইয়ালৈ অনুগ্ৰহ হওক!' এই জয়ধ্বনিৰ সৈতে তেওঁ প্ৰধান
শিলটো উলিয়াই আনিব।" ৮ পাছত যিহোৱাৰ বাক্য মোলৈ আহিল
আৰু ক'লে, ৯ "বোলে, জৰুব্বাবিলৰ হাতে এই গৃহটিৰ ভিত্তিমূল
স্থাপন কৰিলে আৰু তেওঁৰ হাতে ইয়াক সমাপ্তও কৰিব; ইয়াতে তুমি
জানিবা যে, বাহিনীসকলৰ যিহোৱাই মোক তোমালোকৰ ওচৰলৈ
পঠালে ১০ কিয়নো সৰু সৰু বিষয়ৰ দিন কোনে হেয়জ্ঞান কৰিব?
তেতিয়া লোকসকলে আনন্দ কৰিব আৰু জৰুব্বাবিলৰ হাতত ওলোম-
ৰচীডাল দেখিব। এইবোৰেই গোটেই পৃথিৱীত ইফালৰ পৰা সিফালে
ভ্ৰমি ফুৰে। ১১ পাছত মই তেওঁক উত্তৰ দিলোঁ আৰু আকৌ সুধিলোঁ,
"দীপাধাৰৰ সোঁ আৰু বাওঁফালে থকা এই দুজোপা জিতগছ কি?"

১২ পাছত দ্বিতীয়বাৰ মই তেওঁক সুধিলো আৰু ক'লো, "যি দুডাল
সোণোৰালী নলীয়ে নিজৰ নিজৰ পৰা সোণোৰালী তেল ঢালি দিয়ে,
সেই নলী দুডালৰ ওচৰত থকা জিতগছৰ সেই ডালদুটা বা কি?" ১৩
তেতিয়া তেওঁ মোক উত্তৰ দি ক'লে, "সেই কেইডাল কি, ইয়াকো তুমি
নাজানা নে?" মই ক'লো, "হে মোৰ প্ৰভু, মই নাজানো।" ১৪ তেতিয়া
তেওঁ মোক ক'লে, "গোটেই পৃথিৱীৰ যিহোৱাৰ ওচৰত থিয় হৈ থকা
এই দুডাল তেল যোগাওঁতা পুৰুষ।"

৫ পাছত মই উভতি আহিলোঁ আৰু চকু তুলি চালোঁ, তাতে মই এখন
উড়ি থকা নুৰিয়াব পৰা পুথি দেখিলোঁ। ২ তেতিয়া দূতে মোক ক'লে,
"তুমি কি দেখিছা?" মই উত্তৰ দি ক'লোঁ, "মই নুৰিয়াব পৰা এখন
উড়ি থকা পুথি দেখিছোঁ, সেয়ে দীঘলে বিশ হাত আৰু বহলে দহ
হাত।" ৩ তেতিয়া তেওঁ মোক ক'লে, "গোটেই দেশৰ ওপৰেদি ওলাই
যোৱা এয়ে অভিশাপ, কিয়নো যিয়ে চুৰ কৰে, সি তাৰ এপিঠিৰ
মতে উচ্ছন্ন হ'ব আৰু যিয়ে মিছা শপত খায়, সি তাৰ আন পিঠিৰ
মতে উচ্ছন্ন হ'ব। ৪ বাহিনীসকলৰ যিহোৱাই কৈছে, 'ইয়াক মই
উলিয়ালোঁ,' আৰু সেয়ে চোৰৰ ঘৰত আৰু মোৰ নামেৰে মিছা শপত
খোৱাজনৰ ঘৰত সোমাব। আৰু সেয়ে তাৰ ঘৰৰ মাজত থাকি কাঠ
আৰু শিলে সৈতে তাক বিনষ্ট কৰিব।" ৫ তেতিয়া মোৰে সৈতে কথা
হোৱা দূতজনে ওলাই আহি মোক ক'লে, "তুমি চকু তুলি চোৱা, সৌটো
কি আহিছে?" ৬ তেতিয়া মই সুধিলোঁ, "সেইটো কি?" তেওঁ ক'লে,
"আহি থকা সেইটো এটা ঐফা-পাত্ৰ। সেইটোৱেই গোটেই দেশৰ
লোকসকলৰ অতিশয় অনৈতিক আচৰণৰ উপমাস্বৰূপ।" ৭ তাৰ পাছত
দূতে সেই পাত্ৰটোৰ পৰা ঘূৰণীয়া সীহৰ ঢাকনীখন মুকলি কৰি দিলে
আৰু সেই ঐফা-পাত্ৰটোৰ তলিত এগৰাকী তিৰোতা বহি আছিল। ৮
দূতে মোক ক'লে, "এয়ে দুষ্টতা!" এইবুলি তেওঁ তাইক ঐফা-পাত্ৰৰ
ভিতৰলৈ হেঁচা মাৰি ঠেলি দিলে আৰু মুকলি কৰা সীহৰ ঢাকনি খন
পুনৰ বন্ধ কৰিলে। ৯ তেতিয়া মই চকু তুলি চাই দেখিলোঁ যে, দুগৰাকী
মহিলা মোৰ ফালে আহি আছিল আৰু সেই দুগৰাকীৰ ডেউকাত বায়ু
আছিল; সিহঁতৰ ডেউকা বৰটোকোলাৰ ডেউকাৰ নিচিনা আছিল।

সেই দুগৰাকীয়ে পৃথিৱী আৰু আকাশৰ মাজেদি ঐফা-পাত্ৰটো তুলি লৈ
গৈছিল। ১০ সেয়ে মোৰে সৈতে কথা হৈ থকা দূতজনক মই সুধিলোঁ,
"সেই দুগৰাকীয়ে ঐফা-পাত্ৰটো লৈ ক'লৈ গৈছে?" ১১ তেওঁ মোক
ক'লে, "চিনাৰ দেশত সেই পাত্ৰৰ বাবে এটা মন্দিৰ সাজিবলৈ গৈছে,
সেইটো সজা হ'লে, তাইক তাইৰ নিজৰ ঠাইত স্থাপন কৰা হ'ব।"

**৬** তেতিয়া পুনৰায় মই মোৰ চকু তুলি চাই দেখিলোঁ, দুই পৰ্ব্বতৰ
মাজৰ পৰা চাৰিখন ৰথ ওলাই আহিল। সেই পৰ্ব্বত পিতলৰ পৰ্ব্বত।
২ প্ৰথম ৰথত ৰঙা ঘোঁৰা, দ্বিতীয়খনত ক'লা ঘোঁৰা, ৩ তৃতীয়খনত বগা
ঘোঁৰা আৰু চতুৰ্থ খনত বলী ফুটুকা ঘোঁৰা। ৪ তেতিয়া মোৰে সৈতে
কথা হোৱা দূতজনক মই প্ৰশ্ন কৰি ক'লো, "হে মোৰ প্ৰভু, এইবোৰ
কি?" ৫ দূত-জনে উত্তৰ দি মোক ক'লে, "এইবোৰ হ'ল গোটেই
পৃথিৱীৰ প্ৰভুৰ আগত থিয় হৈ থকাৰ পৰা ওলাই অহা আকাশৰ চাৰি
বায়ু। ৬ ক'লা ঘোঁৰাৰ ৰথখন উত্তৰ দেশৰ ফাললৈ ওলাই গৈছে,
বগাবোৰ পশ্চিম দেশৰ ফালে আৰু অনুজ্বল দাগ থকাবোৰ দক্ষিণ
দেশলৈ গৈছে।" ৭ আৰু বলীবোৰে ওলাই গৈ, পৃথিৱীত ইফালে
সিফালে ফুৰিবৰ বাবে অনুমতি খুজিলে, তেতিয়া দূতে ক'লে, "যোৱা
পৃথিৱীত ইফালে সিফালে ফুৰাগৈ!" তেতিয়া সেইবোৰে পৃথিৱীত
ইফালে সিফালে ফুৰিবলৈ ধৰিলে। ৮ তেতিয়া তেওঁ মোক আহ্বান
কৰিলে আৰু মোক মাতি ক'লে, "চোৱা, উত্তৰ দেশৰ ফালে ওলাই
যোৱাবোৰে উত্তৰ দেশত মোৰ ক্ৰোধ মাৰ নিয়ালে।" ৯ সেয়ে যিহোৱাৰ
বাক্য মোৰ ওচৰলৈ আহিল আৰু ক'লে, ১০ "বোলে তুমি গৈ হিল্দয়,
টোবিয়া, যিদয়া - এই দেশান্তৰিত লোকসকলৰ পৰা ৰূপ আৰু সোণ
লোৱাগৈ; আৰু আজিয়েই তুমি নিজে এইবোৰ লৈ যিজন বাবিলৰ
পৰা আহিল, সেই চফনিয়াৰ পুত্ৰ যোচিয়াৰ ঘৰলৈ যোৱা। ১১ তাতে
সেই ঘৰত সোমাই সেই ৰূপ আৰু সোণ লৈ, তাৰে দুটা কিৰীটি সাজি
যিহোচাদকৰ পুত্ৰ যিহোচূৱা প্ৰধান পুৰোহিতৰ মূৰত দিয়াগৈ। ১২
আৰু তুমি তেওঁক ক'বা, 'বাহিনীসকলৰ যিহোৱাই এই কথা কৈছে:
"চোৱা, সেই পুৰুষ জনৰ নাম পোখা! তেওঁ যি ঠাইত আছে, সেই
ঠাইতেই বাঢ়িব; আৰু তেওঁ তেতিয়া যিহোৱাৰ মন্দিৰ সাজিব! ১৩ হয়,

তেৱেঁই যিহোৱাৰ মন্দিৰ সাজিব আৰু তেওঁ গৌৰৱ মুকুটেৰে বিভূষিত
কৰিব; তেওঁ নিজ সিংহাসনত বহি ৰাজত্ব কৰিব। আৰু পুৰোহিত হৈ
নিজ সিংহাসনত বহিব আৰু দুয়োটাৰে মাজত শান্তিৰ মন্ত্ৰণা থাকিব।
১৪ আৰু সেই দুটা কিৰীটি হেলেম, টোবিয়া, যিদয়া, আৰু চফনিয়াৰ
পুত্ৰ যোচিয়াৰ উদাৰতাৰ সোঁৱৰণৰ অৰ্থে, যিহোৱাৰ মন্দিৰত ৰখা
হ'ব। ১৫ আৰু দূৰৈত থকা লোকসকল যেতিয়া আহি যিহোৱাৰ মন্দিৰ
নিৰ্ম্মাণৰ সাহায্য কৰিব, তেতিয়া বাহিনীসকলৰ যিহোৱাই যে মোক
তোমালোকৰ ওচৰলৈ পঠিয়ালে, ইয়াক তোমালোকে জানিবা; আৰু
তোমালোকে যদি যত্নেৰে ঈশ্বৰ যিহোৱাৰ বাক্য পালন কৰা, তেতিয়া
এয়ে সিদ্ধ হ'ব'।"

৭ পাছত ৰজা দাৰিয়াবচৰ ৰাজত্বৰ চতুৰ্থ বছৰৰ কিশ্লেব নামেৰে নৱম
মাহৰ চতুৰ্থ দিনা, জখৰিয়াৰ ওচৰলৈ যিহোৱাৰ বাক্য আহিল। ২ সেই
সময়ত, যিহোৱাৰ অনুগ্ৰহ প্ৰাৰ্থনা কৰিবলৈ বৈৎএলৰ লোকসকলে
চৰেচৰ, ৰেগক-মেলক আৰু তেওঁলোকৰ লোকসকলক পঠিয়াই
দিলে। ৩ তেওঁলোকে যিহোৱাৰ গৃহত উপস্থিত থকা বাহিনীসকল আৰু
ভাববাদীসকলক ক'লে "মই ইমান বছৰ যি দৰে শোক কৰি আহিছোঁ,
সেইদৰে নিজকে পৃথক ৰাখি পঞ্চম মাহত ব্ৰত ৰাখিম নে"? ৪ তেতিয়া
বাহিনীসকলৰ যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, আৰু ক'লে, ৫
"তুমি দেশৰ সকলো লোকসকলক আৰু পুৰোহিতসকলক এই কথা
কোৱা, 'যেতিয়া তোমালোকে যি পঞ্চম আৰু সপ্তম মাহত ব্ৰত আৰু
শোক কৰিছিলা, তেতিয়া তোমালোকে সেই সত্তৰ বছৰত, মোৰে
উদ্দেশ্যে প্ৰকৃততে ব্ৰত কৰিছিলা নে? ৬ আৰু যেতিয়া তোমালোকে
ভোজন-পান কৰিছিলা, তেতিয়া তোমালোকে নিজৰ নিজৰ কাৰণে
ভোজন-পান কৰা নাছিলা নে? ৭ এই কথাই পূৰ্বকালৰ ভাববাদীসকলৰ
দ্বাৰাই যিহোৱাই ঘোষণা কৰি কোৱা সেই বাক্য নহয়নে, যি কালত
যিৰূচালেম আৰু তাৰ চাৰিওফালে উন্নত অৱস্থাত থকা নগৰবোৰ আৰু
তাৰে সৈতে দক্ষিণ অঞ্চল আৰু পশ্চিমাঞ্চলৰ নিম্নভূমিত তোমালোকে
বাস কৰিছিলা'?" ৮ পুনৰায় জখৰিয়াৰ ওচৰলৈ যিহোৱাৰ বাক্য
আহিল, ৯ বাহিনীসকলৰ যিহোৱাই এই কথা কৈছে: তোমালোকে

সত্যৰে, বিশ্বাসেৰে আৰু দয়াৰে বিচাৰ কৰা, আৰু প্ৰতিজনে নিজ নিজ
ভাইৰে সৈতে দয়া আৰু কৰুণা ব্যৱহাৰ কৰা; ১০ আৰু যি সকল বিধৱা,
পিতৃহীন, বিদেশী আৰু দৰিদ্ৰ সেই লোকসকলক অত্যাচাৰ নকৰিবা;
আৰু তোমালোক কোনেও নিজ নিজ ভাইৰ বিৰুদ্ধে নিজ মনত কু-
কল্পনা নকৰিবা।' ১১ কিন্তু তেওঁলোকে শুনিবলৈ অসন্মত হ'ল; আৰু
কান্ধ আঁতৰাবলৈ থিৰ কৰিলে; আৰু শুনাত সন্মত নহ'বলৈ নিজ নিজ
কাণত সোপা দিলে। ১২ এনে কি তেওঁলোকে বাহিনীসকলৰ যিহোৱাই
নিজ আত্মাৰ দ্বাৰাই আগৰ কালৰ ভাববাদীসকলৰ যোগেদি পঠোৱা
বাক্য নুশুনিবৰ কাৰণে তেওঁলোকে নিজ নিজ হৃদয় হীৰাৰদৰে টান
কৰিলে; এই কাৰণে বাহিনীসকলৰ যিহোৱাৰ মহাক্ৰোধ হ'ল। ১৩
যেতিয়া বাহিনীসকলৰ যিহোৱাই লোকসকলক মাতিছিল, তেতিয়া
লোকসকলে নুশুনিলে। 'সেই একেধৰণে' বাহিনীসকলৰ যিহোৱাই
ক'লে, "তেওঁলোকে চিঞৰি মাতিব, কিন্তু মই নুশুনিম। ১৪ কিন্তু মই
তেওঁলোকে নজনাকৈ আটাই জাতিৰ মাজলৈ বা'মাৰলি বতাহেৰে
তেওঁলোকক ছিন্ন-ভিন্ন কৰিম। এইদৰে তেওঁলোকৰ পাছত দেশখন
এনেদৰে উচ্ছন্ন হ'ল, যে তাৰ মাজেদি কোনেও অহা-যোৱা নকৰিলে;
কিয়নো তেওঁলোকৰ দ্বাৰাই মনোহৰ দেশখন উচ্ছন্ন হ'ল।'"

**৮** তেতিয়া বাহিনীসকলৰ যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, আৰু
ক'লে, ২ "বাহিনীসকলৰ যিহোৱাই এই কথা কৈছে: 'মই চিয়োনৰ
অৰ্থে মহা অন্তৰ্জ্বালাৰে জ্বলিছোঁ, মই তাইৰ অৰ্থে মহা ক্ৰোধেৰে
জ্বলিছোঁ!' ৩ বাহিনীসকলৰ যিহোৱাই এই কথা কৈছে: 'মই চিয়োনলৈ
উলটি আহিলোঁ আৰু যিৰূচালেমৰ মাজত বাস কৰিম, কাৰণ যিৰূচালেম
সত্যপুৰী বুলি আৰু বাহিনীসকলৰ যিহোৱাৰ পৰ্ব্বতখন পবিত্ৰ বুলি
প্ৰখ্যাত হ'ব'!" ৪ বাহিনীসকলৰ যিহোৱাই এই কথা কৈছে: অতি বুঢ়া
হোৱাৰ কাৰণে পুনৰায় যিৰূচালেমৰ চকবোৰত বহিব, প্ৰতিজন বুঢ়া-
বুঢ়ীয়ে নিজ নিজ হাতত লাখুটি ল'ব। ৫ আৰু ল'ৰা-ছোৱালীবোৰৰ খেল
ধেমালিৰে সেই নগৰৰ আলিবাটবোৰ পৰিপূৰ্ণ হ'ব!" ৬ বাহিনীসকলৰ
যিহোৱাই এই কথা কৈছে: "সেই দিনত এই লোকসকলৰ যি অৱশিষ্ট
ভাগ থাকিব, সেই লোকসকলৰ দৃষ্টিত সেয়ে আচৰিত বোধ হ'ব;

মোৰ দৃষ্টিতো সেয়ে আচৰিত বোধ হ’ব নে?” ইয়াক বাহিনীসকলৰ
যিহোৱাই কৈছে। ৭ বাহিনীসকলৰ যিহোৱাই এই কথা কৈছে: ‘চোৱা,
মই পূৱ আৰু পশ্চিম দেশৰ পৰা মোৰ প্ৰজাসকলক নিস্তাৰ কৰি
আনিম! ৮ কিয়নো যিৰূচালেমত বাস কৰিবলৈ মই তেওঁলোকক ঘূৰাই
আনিম, যাতে তেওঁলোক পুনৰায় মোৰ প্ৰজা হ’ব, আৰু সত্যতাত আৰু
ধাৰ্মিকতাত মই তেওঁলোকৰ ঈশ্বৰ হ’ম!” ৯ “বাহিনীসকলৰ যিহোৱাই
এই কথা কৈছে: ‘তোমালোক সাহিয়াল হোৱা, যি কথা বৰ্তমান শুনি
আছা সেই একেই বাক্য ভাববাদীসকলৰ মুখেৰে কোৱা হৈছিল,
যেতিয়া তেওঁলোকে বাহিনীসকলৰ যিহোৱাৰ গৃহৰ ভিত্তিমূল স্থাপন কৰা
হৈছিল, তেতিয়াই মন্দিৰ নিৰ্মান কৰা হৈছিল। ১০ কিয়নো সেই কালৰ
পূৰ্বে কোনো লোকক মজুৰি দিবৰ বাবে বা কোনো পশুক কেৰেয়া
ল’বৰ বাবে টকা নাছিল। আৰু বাহিৰলৈ যোৱাজনৰেই হওঁক বা কি
ভিতৰলৈ অহা জনৰেই হওঁক শত্ৰুৰ পৰা কোনো শান্তি নাছিল। কিয়নো
মই প্ৰতিজনক নিজ নিজ ওচৰ-চুবুৰীয়াৰ বিৰুদ্ধে উচটাই দিছিলোঁ। ১১
কিন্তু এতিয়া মই পূৰ্ব কালৰ দৰে এই লোকসকলৰ অৱশিষ্ট ভাগলৈ
ব্যৱহাৰ নকৰিম!’” এইটোৱেই হ’ল বাহিনীসকলৰ যিহোৱাৰ ঘোষণা।
১২ “কিয়নো কুশলযুক্ত কঠীয়া সিচাঁ হ’ব। দ্ৰাক্ষালতাই নিজ নিজ
ফল ধৰিব, ভূমিয়ে নিজৰ শস্য উৎপন্ন কৰিব, আৰু আকাশ-মণ্ডলে
নিজৰ নিয়ৰ বৰষাব, কাৰণ মই এই অৱশিষ্ট লোকসকলক সেই
সকলোৰে অধিকাৰী কৰিম। ১৩ জাতিবোৰৰ মাজত তোমালোক
যেনেকৈ শাওৰ উদাহৰণস্বৰূপ হৈছিলা, হে যিহূদা বংশ আৰু হে
ইস্ৰায়েল বংশ, তেনেকৈ এতিয়া মই তোমালোকক উদ্ধাৰ কৰিম আৰু
তোমালোক আশীৰ্ব্বাদৰ বিষয় হ’বা। ভয় নকৰিবা, তোমালোকৰ
হাত সবল হওঁক!” ১৪ কিয়নো বাহিনীসকলৰ যিহোৱাই এই কথা
কৈছে: “তোমালোকৰ পূৰ্ব-পুৰুষসকলে মোৰ ক্ৰোধ তোলা সময়ত
মই যেনেকৈ তোমালোকৰ অমঙ্গল কৰিবলৈ সঙ্কল্প কৰিছিলোঁ,’
ইয়াক বাহিনীসকলৰ যিহোৱাই কৈছে, ‘আৰু মই মন পালটোৱা
নাছিলোঁ, ১৫ তেনেকৈ আকৌ এই কালত যিৰূচালেমৰ আৰু যিহূদা-
বংশৰ মঙ্গল কৰিবলৈ সঙ্কল্প কৰিছোঁ! তোমালোকে ভয় নকৰিবা!

১৬ তোমালোকে কৰিবলগীয়া কাৰ্য এইবোৰ: প্ৰতিজনে নিজ নিজ
ওচৰ-চুবুৰীয়াৰ সৈতে সত্য আলাপ কৰিবা, তোমালোকে নগৰৰ
দুৱাৰত যথাৰ্থ আৰু শান্তিজনক বিচাৰ সিদ্ধ কৰিবা। ১৭ তোমালোক
কোনেও নিজ মনত নিজ ওচৰ-চুবুৰীয়াৰ বিৰুদ্ধে কু-কল্পনা নকৰিবা
আৰু মিছা শপত নিদিবা; কিয়নো এই আটাইবোৰ মই ঘিণ কৰোঁ!”
এই কথা যিহোৱাই কৈছে। ১৮ পাছে বাহিনীসকলৰ যিহোৱাৰ বাক্য
মোৰ ওচৰলৈ আহিল আৰু ক’লে, ১৯ “বাহিনীসকলৰ যিহোৱাই এই
কথা কৈছে: ‘চতুৰ্থ, পঞ্চম, সপ্তম আৰু দশম মাহৰ উপবাস যিহূদা-
বংশৰ কাৰণে আনন্দ ও উল্লাসৰ বিষয় আৰু সন্তোষজনক উৎসৱ
হ’ব! এই হেতুকে তোমালোকে সত্যক আৰু শান্তিক ভাল পোৱা!” ২০
“বাহিনীসকলৰ যিহোৱাই এই কথা কৈছে: ‘লোকসকল আকৌ আহিব,
আনকি ভিন ভিন নগৰত নিবাস কৰা লোকসকলো আহিব। ২১ আৰু
এখন নগৰৰ নিবাসীসকলে আন এখন নগৰলৈ গৈ ক’ব, ‘ব’লা,
যিহোৱাৰ অনুগ্ৰহ প্ৰাৰ্থনা কৰিবলৈ আৰু বাহিনীসকলৰ যিহোৱাক
বিচাৰিবলৈ আমি বেগাই যাওঁহঁক! ময়ো যাম’! ২২ হয়, অনেক দেশৰ
লোক আৰু পৰাক্ৰমী জাতি সমূহ যিৰূচালেমত বাহিনীসকলৰ যিহোৱাক
বিচাৰিবলৈ আৰু যিহোৱাৰ অনুগ্ৰহ প্ৰাৰ্থনা কৰিবলৈ আহিব’!” ২৩
বাহিনীসকলৰ যিহোৱাই এই কথা কৈছে: ‘সেই দিনা জাতি সমূহৰ
মাজৰ আটাই ভাষা ক’ব পৰা দহ জন লোকে এজন যিহুদী লোকৰ
কাপোৰৰ আঁচল ধৰি ক’ব, “আমি তোমালোকৰ লগত যাম, কিয়নো
আমি শুনিছোঁ, ঈশ্বৰ তোমালোকৰ লগত আছে!”

**৯** হদ্ৰক দেশৰ বিৰুদ্ধে যিহোৱাৰ বাক্য হ’ল আৰু দম্মোচকত তেওঁৰ
আশ্ৰয় হ’ল; কিয়নো ইস্ৰায়েল আটাই ফৈদৰ ওপৰত থকাৰ দৰে মনুষ্য
জাতিৰ ওপৰত যিহোৱাৰ দৃষ্টি হ’ব। ২ আৰু দম্মোচকৰ সীমাত থকা
হমাতো আশ্ৰয় হ’ব, চীদোনে সৈতে তূৰো হ’ব, যদিওবা সিহঁত বৰ
জ্ঞানী। ৩ তূৰে নিজৰ বাবে দৃঢ় কোঁঠ সাজিলে আৰু ধূলিৰ দৰে ৰূপ
আৰু বাটৰ বোকাৰ দৰে উত্তম সোণ দ’ম কৰিলে। ৪ চোৱা প্ৰভুৱে
তাইৰ আধিপত্য আতৰাব, আৰু সমুদ্ৰত থকা তাইৰ পৰাক্ৰম নষ্ট
কৰিব আৰু তাইক অগ্নিৰ দ্বাৰাই গ্ৰাসিত কৰা হ’ব। ৫ ইয়াকে দেখি

অস্কিলোনে ভয় কৰিব! কৰিব! আৰু ঘচায়ো দেখি গাজায়ো অত্যন্ত
কঁপিব! ইক্ৰোণ, তাইৰ আশা হতবুদ্ধি হ'ব! কিয়নো তাইৰ আশাভূমি
লাজ দিওঁতা হ'ব; ঘচাৰ পৰা ৰজা লুপ্ত হ'ব আৰু কোনেও অস্কিলোনত
বাস নকৰিব! ৬ এক অচিনাকি জাতিয়ে অচ্‌দোদত বাস কৰিব, আৰু
মই পলেষ্টীয়াসকলৰ গৰ্ব্ব বিচ্ছিন্ন কৰিম। ৭ আৰু মই তেওঁৰ মুখৰ পৰা
তেওঁ পান কৰা তেজ আৰু তেওঁৰ দাঁতৰ মাজৰ পৰা তেওঁৰ ঘিণলগীয়া
প্ৰসাদ আতৰাই দিম; তেতিয়া তেৰোঁ আমাৰ ঈশ্বৰৰ পক্ষে অৱশিষ্ট
লোক হ'ব, তেওঁ যিহূদাত প্ৰধান লোক বুলি গণিত হ'ব আৰু ইক্ৰোণ
যিবুচীয়াস্বৰূপ হ'ব। ৮ কোনেও মাজেদি অহা-যোৱা কৰিব নোৱাৰাকৈ
মোৰ বংশৰ চাৰিওফালে সৈন্যসামন্তৰ বিৰুদ্ধে মই ছাউনি পাতিম,
তেতিয়া কোনো অত্যাচাৰী লোক তেওঁলোকৰ মাজেদি পুনৰায় যাব
নোৱাৰিব; কাৰণ নিজ চকুৰে এতিয়া মই দৃষ্টি কৰিলোঁ! ৯ হে চিয়োন-
জীয়াৰী, অতিশয় উল্লাস কৰা, হে যিৰূচালেম-জীয়াৰী, জয়ধ্বনি কৰা!
চোৱা! তোমাৰ ৰজা তোমাৰ ওচৰলৈ ধাৰ্মিকতাৰে আহিছে তেওঁ ন্যায়,
পৰিত্ৰাণযুক্ত আৰু নম্ৰ; তেওঁ গাধত, গাধীৰ পোৱালিতেই উঠি আহিছে।
১০ মই ইফ্ৰয়িমৰ পৰা ৰথ আৰু যিৰূচালেমৰ পৰা ঘোঁৰা উচ্ছন্ন কৰিম
আৰু যুদ্ধৰ ধনু উচ্ছন্ন কৰা হ'ব; কিয়নো তেওঁ জাতিবোৰক শান্তিৰ কথা
ক'ব, তেওঁৰ ৰাজ্য সমুদ্ৰৰ পৰা সমুদ্ৰলৈকে আৰু নদীৰ পৰা পৃথিৱীৰ
অন্তলৈকে হ'ব। ১১ আৰু তোমাৰ বিষয়ে হ'লে, তোমাৰে সৈতে স্থাপন
কৰা নিয়মটিৰ তেজৰ গুণত পানী নথকা গাতৰ পৰা মই তোমাৰ
বন্দীয়াৰবোৰক মোকলালো। ১২ হে আশা কৰা বন্দীয়াৰসকল,
তোমালোকে উলটি সংৰক্ষিত দুৰ্গলৈ আহাঁ! মই আজিয়েই প্ৰকাশ
কৰিছোঁ যে, মই তোমাক দুগুণ মঙ্গল দান কৰিম। ১৩ কিয়নো মই
যিহূদাক মোৰ পক্ষে ধনুস্বৰূপে ভিৰালোঁ আৰু ইফ্ৰয়িমক কাঁড়স্বৰূপে
গুণত জুৰিলোঁ। হে চিয়োন, তোমাৰ সন্তান সকলৰ বিৰুদ্ধে তোমাৰ
সন্তান সকলক মই উচটাম, আৰু গ্ৰীকসকল, মই তোমাক এজন
বীৰৰ তৰোৱালস্বৰূপ কৰিম! ১৪ যিহোৱাই তেওঁলোকৰ ওপৰত দেখা
দিব আৰু তেওঁৰ কাঁড় বিজুলীৰ নিচিনাকৈ ওলাব! প্ৰভু যিহোৱাই
শিঙা বজাব আৰু দক্ষিণ অঞ্চলৰ বা'মাৰলী বায়ুস্বৰূপ ৰথত গমন

কৰিব। ১৫ বাহিনীসকলৰ যিহোৱা তেওঁলোকৰ ঢালস্বৰূপ হ'ব আৰু
তেওঁলোকে শত্রুৰ মঙহ খাব আৰু ফিঙ্গাৰ শিলস্বৰূপে সিহঁতক ভৰিৰ
তলত গচকিব। তেতিয়া তেওঁলোকে সিহঁতৰ তেজ পান কৰিব আৰু
দ্ৰাক্ষাৰস পান কৰি গোলমাল কৰাৰ দৰে গোলমাল কৰিব; আৰু তেজ
ৰখা পাত্ৰৰ নিচিনাকৈ তেওঁলোক তেজেৰে পূৰ হ'ব আৰু যজ্ঞবেদীৰ
চাৰি চুকৰ নিচিনা হ'ব। ১৬ সেইদিনা তেওঁলোকৰ ঈশ্বৰ যিহোৱাই
নিজৰ মেৰ-ছাগৰ জাকস্বৰূপ প্ৰজা বুলি তেওঁলোকক উদ্ধাৰ কৰিব;
কিয়নো তেওঁলোক দেশৰ ওপৰত তেওঁৰ কিৰীটিৰ এটি জকমকোৱা
মুকুতাস্বৰূপ হ'ব। ১৭ কাৰণ তেওঁৰ মঙ্গল কেনে মহৎ! আৰু তেওঁৰ
সৌন্দৰ্য্য বা কেনে মহৎ! শস্যই যুৱাসকলক আৰু নতুন দ্ৰাক্ষাৰসে
যুৱতীসকলক সতেজ কৰিব।

**১০** তোমালোকে বসন্তকালৰ সময়ত যিহোৱাৰ আগত প্ৰাৰ্থনা কৰা-
ধুমুহা-বৰষুণ সৃষ্টি কৰোঁতা যিহোৱা তেৱেঁই! আৰু তেৱেঁই তেওঁলোকৰ
বাবে জাকে জাকে বৰষুণ দিব, মানুহ আৰু পথাৰ উভয়ৰ বাবেই
বৰষুণ বৰষাব। ২ কিয়নো গৃহ-দেৱতাবোৰে অসাৰ কথা কয় আৰু
দৈৱজ্ঞবোৰে মিছা দৰ্শন পাই, তেওঁলোকে মিছা সপোনৰ কথা প্ৰকাশ
কৰি বৃথা সান্ত্বনা দিয়ে; এই কাৰণে তেওঁলোকে মেৰ-ছাগৰ নিচিনাকৈ
ভ্ৰমি ফুৰে আৰু ৰখীয়া নোহোৱাত দুখ পায়। ৩ মেৰ-ছাগ ৰখীয়াসকলৰ
অহিতে মোৰ ক্ৰোধ জ্বলি উঠিছে, আৰু এই পৰিচাৰকসকলক মই
দণ্ড দিম; কিয়নো বাহিনীসকলৰ যিহোৱাই তেওঁৰ জাক যিহূদা-
বংশৰ বুজ-বিচাৰ লৈ, তেওঁলোকক নিজৰ উত্তম ৰণুৱা ঘোঁৰা যেন
কৰিব! ৪ তাৰে পৰাই চুকৰ শিলটো, তম্বু ধৰি ৰখা খুটি, যুদ্ধৰ
ধনু আৰু অধিপতি সকল আহিব। ৫ তেওঁলোকে বীৰ হৈ যুঁজত
বাটৰ বোকাত তেওঁলোকৰ শত্রুবোৰক গচকিব; তেওঁলোকে যুদ্ধ
কৰিব, কিয়নো যিহোৱা তেওঁলোকৰ লগত আছে, আৰু যিসকল
অশ্বাৰোহী, তেওঁলোকক লজ্জিত কৰিব। ৬ "মই যিহূদা বংশক সবল
কৰিম আৰু যোচেফৰ বংশক উদ্ধাৰ কৰিম; কিয়নো তেওঁলোকক
মই পুনৰায় পূৰ্ব অৱস্থালৈ আনিম কাৰণ তেওঁলোকৰ ওপৰত মোৰ
দয়া আছে। তেওঁলোক যেন মোৰ দ্বাৰাই পৰিত্যক্ত হোৱা নাছিল,

এনেকুৱা তেওঁলোক হ’ব; কাৰণ মই তেওঁলোকৰ ঈশ্বৰ যিহোৱা আৰু
মই তেওঁলোকৰ প্ৰাৰ্থনাৰ উত্তৰ দিম। ৭ তেতিয়া ইফ্ৰয়িমীয়াসকল
বীৰপুৰুষৰ নিচিনা হ’ব আৰু দ্ৰাক্ষাৰসৰ দ্বাৰাই যেনেকৈ মানুহৰ মনত
আনন্দ হয়, তেওঁলোকৰ হৃদয়ত তেনে আনন্দ হ’ব; তেওঁলোকৰ সন্তান
সকলে তাকে দেখি আনন্দ কৰিব। তেওঁলোকৰ হৃদয়ে যিহোৱাত
উল্লাস কৰিব! ৮ মই তেওঁলোকক সুহুৰিয়াই মাতি একগোট কৰিম,
কিয়নো মই তেওঁলোকক উদ্ধাৰ কৰিম আৰু তেওঁলোক পুনৰায় বৃদ্ধি
পোৱাৰ দৰে বৃদ্ধি পাব! ৯ মই তেওঁলোকক জাতি সমূহৰ মাজত বীজ
সিঁচাৰ দৰে সিঁচিছিলোঁ, কিন্তু তেওঁলোকে দূৰ দেশত মোক সোঁৱৰণ
কৰিব যাতে তেওঁলোকে নিজ নিজ সন্তান সকলৰ সৈতে জীৱন-যাপন
কৰি ঘূৰি আহিব। ১০ কিয়নো মই তেওঁলোকক মিচৰ দেশৰ পৰা
ঘূৰাই আনিম আৰু অচূৰৰ পৰা তেওঁলোকক গোট খুৱাম। যেতিয়া
তেওঁলোকৰ ঠাইৰ নাটনি হ’ব, তেতিয়া মই তেওঁলোকক গিলিয়দ
দেশ আৰু লিবানোনলৈ আনিম। ১১ তেওঁলোকে সঙ্কটপূৰ্ণ সমুদ্ৰৰ
মাজেদি যাত্ৰা কৰিব; তেওঁলোকে সাগৰৰ ঢৌক প্ৰহাৰ কৰিব; আৰু
নীল নদীৰ সকলো জল তেওঁলোকে শুকুৱাই পেলাব। অচূৰৰ মহত্ত্ব
তল পেলোৱা হ’ব আৰু মিচৰৰ দণ্ডডালি তেওঁলোকৰ পৰা দূৰ কৰা
যাব। ১২ মই তেওঁলোকক মোৰে সৈতে সবল কৰিম আৰু তেওঁলোকে
তেওঁৰ নামেৰে অহা-যোৱা কৰিব।” এয়েই যিহোৱাৰ ঘোষণা।

**১১** হে লিবানোন, অগ্নিয়ে তোমাৰ এৰচ গছবোৰ গ্ৰাস কৰিবৰ
কাৰণে তোমাৰ দুৱাৰবোৰ মুকলি কৰা! ২ হে দেৱদাৰু, বিলাপ কৰা,
কিয়নো এৰচ বৃক্ষ পতিত হ’ল, কাৰণ যি উত্তম আছিল সেইবোৰ
নষ্ট হ’ল! হে বাচানৰ অলোন গছবোৰ, বিলাপ কৰা কিয়নো দুৰ্গম
কাঠনি ভাঙি পৰিছে। ৩ মেৰ-ছাগ ৰখীয়াবোৰৰ মাতে চিঞৰিছে,
কিয়নো তেওঁলোকৰ গৌৰৱ ধ্বংস-প্ৰাপ্ত হ’ল! যুৱা সিংহবোৰ গৰ্জি
উঠিছে, কিয়নো যৰ্দ্দনৰ গৌৰৱ উচ্ছন্ন হ’ল। ৪ এই হেতুকে মোৰ
ঈশ্বৰ যিহোৱাই এই কথা ক’লে, “বধ কৰিবলগীয়া মেৰ-ছাগৰ জাকক
তুমি চৰোৱা; ৫ (সেইবোৰৰ কিনোতাবোৰে সেইবোৰক বধ কৰে
আৰু নিজক দোষী বুলি নাভাবে; আৰু সেইবোৰক বেচোঁতা প্ৰতিজনে

কয়, 'যিহোৱা ধন্য হওঁক! কিয়নো মই ধনী হ'লো', কাৰণ সেইবোৰৰ নিজ ৰখীয়াসকলে সেইবোৰক মৰম নকৰে।) ৬ কিয়নো দেশ-নিবাসীসকলক মই দয়া নকৰিম।" এয়ে যিহোৱাৰ ঘোষণা। "কিন্তু চোৱা! মই লোকসকলৰ প্ৰতিজনক নিজ মেৰ-ৰখীয়াৰ আৰু নিজ ৰজাৰ হাতত শোধাই দিম; তেওঁলোকে দেশ চূৰ্ণ কৰিব, কিন্তু মই তেওঁলোকৰ হাতৰ পৰা তেওঁলোকক উদ্ধাৰ নকৰিম।" ৭ তেতিয়া বেচোঁতাসকলৰ বধ কৰিবলগীয়া সেই মেৰ-ছাগ জাকবোৰৰ ৰখীয়া মই হ'লো, আৰু মই নিজৰ কাৰণে দুডাল লাখুটি ললোঁ; এডালৰ নাম "দয়া" আৰু আনডালৰ নাম "একতা" ৰাখিলোঁ। এইদৰে মই মেৰ-ছাগৰ জাকটো চৰাবলৈ ধৰিলোঁ। ৮ মই এক মাহৰ ভিতৰতে সেই তিনিজন মেৰ-ছাগ ৰখীয়াক বিনষ্ট কৰিলোঁ; কিয়নো মই তেওঁলোকৰ প্ৰতি অধৈৰ্য হ'লো - কিয়নো তেওঁলোকৰ প্ৰাণেও মোক ঘিণ কৰিলে।
৯ তেতিয়া মই ক'লো, "মই তোমালোকক আৰু নচৰাওঁ। যিবোৰ মৰি আছে - সেইবোৰক বিনষ্ট হ'বলৈ দিয়া। আৰু যিবোৰ অৱশিষ্ট থাকিব, সেইবোৰক ইজনে সিজনৰ মাংস খাওঁক।" ১০ সেই কাৰণে মই সকলো জাতিৰ লগত স্থাপন কৰা নিয়মটি ভাঙিবলৈ মোৰ সেই "দয়া" নামৰ লাখুটিডাল দুডোখৰ কৰিলোঁ। ১১ সেইদিনা সেই নিয়মটি ভঙা হ'ল আৰু মোক সেইদৰে কৰা দেখি বেচোঁতাসকলে জানিলে যে, এয়ে যিহোৱাৰ বাক্য! ১২ মই তেওঁলোকক কলোঁ, "যদি তোমালোকে ভাল দেখা, তেন্তে মোক মোৰ বেচ দিয়া; যদি ভাল নেদেখা তেন্তে নালাগে।" তেতিয়া তেওঁলোকে মোৰ বেচৰ অৰ্থে ত্ৰিশ চেকল ৰূপ জুখি মোক দিলে। ১৩ তেতিয়া যিহোৱাই মোক ক'লে, "সেই ৰূপ ধন-ভঁৰালত জমা দিয়া, তেওঁলোকৰ বিবেচনাত এয়ে উচিত মূল্য!" তেতিয়া মই সেই ত্ৰিশ চেকল ৰূপ লৈ যিহোৱাৰ গৃহত কুমাৰৰ আগত জমা দিলোঁ।
১৪ পাছত যিহূদা আৰু ইস্ৰায়েলৰ মাজত ভ্ৰাতৃত্বৰ বন্ধন ভাঙিবলৈ মোৰ "একতা" নামৰ আনডাল লাখুটি দুডোখৰ কৰিলোঁ। ১৫ তেতিয়া যিহোৱাই মোক পুনৰায় ক'লে, "তুমি আকৌ নিজৰ বাবে এজন অজ্ঞান মেৰ-ছাগ ৰখীয়াৰ সঁজুলি লোৱা, ১৬ কিয়নো চোৱা! মই দেশত এজন মেৰ-ছাগৰ ৰখীয়া উৎপন্ন কৰিম! তেওঁ নষ্ট হ'বলগীয়া ছাগলীবোৰৰ

বুজ বিচাৰ নল’ব। ছিন্ন-ভিন্ন হোৱা ছাগলীবোৰক নিবিচাৰিব বা ভগ্ন
হোৱাটোক সুস্থ নকৰিব। আনকি সুস্থকো প্ৰতিপালন নকৰিব, কিন্তু
হৃষ্টপুষ্টবোৰে মাংস খাব পাব আৰু সেইবোৰৰ খুৰাও ডোখৰ ডোখৰকৈ
ছিঙিব। ১৭ হায়, জাক এৰি যোৱা অযোগ্য মেৰ-ৰখীয়া! তেওঁৰ সোঁ
চকু আৰু সোঁ হাতৰ বিৰুদ্ধে তৰোৱাল লৈ আহা! তেওঁৰ সোঁ হাত
নিষ্কৰ্মা হৈ যাব আৰু তেওঁৰ সোঁ চকু অন্ধ হ’ব।

**১২** ইস্ৰায়েলৰ বিষয়ে যিহোৱাৰ বক্তব্য - এয়ে যিহোৱাৰ ঘোষণা,
যি জন আকাশ মণ্ডল বিস্তাৰ কৰোঁতা, পৃথিৱীৰ ভিত্তিমূল স্থাপন
কৰোঁতা আৰু মনুষ্যৰ অন্তৰত আত্মা গঠন কৰোঁতা: ২ চোৱা! মই
যিৰূচালেমক চাৰিওফালে থকা আটাই জাতিবোৰক ঢলংপলং হোৱা
পান-পাত্ৰস্বৰূপ কৰিম আৰু যিৰূচালেমক অৱৰোধ কৰা সময়ত এয়ে
যিহূদাৰ বিৰুদ্ধেও ঘটিব। ৩ সেই দিনা মই যিৰূচালেমক সকলো
জাতিৰ পক্ষে তুলিবলৈ কষ্টকৰ শিলস্বৰূপ কৰিম; আৰু যিসকলে তাক
তুলিব, তেওঁলোকে নিজকে বৰকৈ আঘাত কৰিব আৰু পৃথিৱীৰ আটাই
জাতিয়ে তাইৰ অহিতে গোট খাব। ৪ সেইদিনা যিহোৱাৰ ঘোষণা
এই - “মই প্ৰত্যেক ঘোঁৰাক আঘাত কৰি ভয় লগাম আৰু তাত উঠা
জনক বলীয়া কৰিম; মই যিহূদা বংশলৈ মোৰ চকু মুকলি কৰিম,
কিন্তু সৈন্যসকলৰ প্ৰত্যেক ঘোঁৰাক আঘাত কৰি কণা কৰিম। ৫
তেতিয়া যিহূদাৰ প্ৰধান লোকসকলে নিজ নিজ মনতে ক’ব, ‘যিৰূচালেম
নিবাসীসকল আমাৰ বল, কাৰণ বাহিনীসকলৰ যিহোৱা তেওঁলোকৰ
ঈশ্বৰ’। ৬ সেই দিনা মই যিহূদাৰ পৰিচাৰকসকলক খৰিৰ মাজত
থকা জুই ধৰা পাত্ৰৰদৰে আৰু ডাঙৰিবোৰৰ মাজত জ্বলাই থোৱা
আৰিয়াৰ দৰে কৰিম; তেওঁলোকে সোঁ আৰু বাওঁ ফালে চাৰিওকাষে
আটাই জাতিক গ্ৰাস কৰিব আৰু নিজ ঠাই যিৰূচালেমতেই পুনৰায় বাস
কৰিব। ৭ দায়ূদৰ বংশ আৰু যিৰূচালেম-নিবাসীসকল যিহূদাতকৈ বৰ
বুলি বিবেচিত নহ’বৰ কাৰণে, যিহোৱাই যিহূদাৰ তম্বুবোৰ প্ৰথমে ৰক্ষা
কৰিব। ৮ সেইদিনা যিহোৱা যিৰূচালেম-নিবাসীসকলৰ ঢালস্বৰূপ হ’ব
আৰু তেওঁলোকৰ মাজৰ দুৰ্ব্বল লোক সেইদিনা দায়ূদৰ সদৃশ হ’ব আৰু
দায়ূদৰ বংশ ঈশ্বৰৰ সদৃশ, তেওঁলোকৰ আগে আগে যোৱা যিহোৱাৰ

দূতৰেই সদৃশ হ'ব। ৯ আৰু সেইদিনা যিৰূচালেমৰ বিৰুদ্ধে অহা আটাই
জাতিক মই নষ্ট কৰিবলৈ থিৰ কৰিম।" ১০ আৰু দায়ূদ-বংশৰ আৰু
যিৰূচালেম নিবাসীসকলৰ ওপৰত মই অনুগ্ৰহ আৰু মিনতিৰ কাৰণে
আত্মা বাকি দিম; তেতিয়া তেওঁলোকে মোক যি দৰে বিন্ধিছিল, সেই
বিষয়ে তেওঁলোকে চাব। একেটি পুত্ৰৰ কাৰণে বিলাপ কৰা নিচিনাকৈ
তেওঁলোকে তেওঁৰ কাৰণে বিলাপ কৰিব আৰু প্ৰথমে জন্মা পুত্ৰৰ
বিয়োগত মানুহে বেজাৰ পোৱাৰ দৰে তেওঁলোকে তেওঁৰ কাৰণে মনত
বেজাৰ পাব। ১১ মগিদ্দোন সমথলৰ হদদ-ৰিম্মোণত কৰা বিলাপৰ
নিচিনাকৈ যিৰূচালেমত সেই দিনা মহা বিলাপ হ'ব। ১২ দেশৰ প্ৰত্যেক
গোষ্ঠীয়ে বেলেগে বেলেগে বিলাপ কৰিব; দায়ূদ-বংশৰ গোষ্ঠীয়ে
বেলেগে আৰু তেওঁলোকৰ পত্নীসকল বেলেগে; নাথন বংশৰ গোষ্ঠীয়ে
বেলেগে আৰু তেওঁলোকৰ পত্নীসকল বেলেগে বিলাপ কৰিব। ১৩
লেবী-বংশৰ গোষ্ঠীয়ে বেলেগকৈ আৰু তেওঁলোকৰ পত্নীসকল বেলেগে;
চিমিয়ীৰ গোষ্ঠীয়ে বেলেগে আৰু তেওঁলোকৰ পত্নীসকল বেলেগে;
১৪ প্ৰত্যেক অৱশিষ্ট গোষ্ঠীৰ মাজত এক এক গোষ্ঠীয়ে বেলেগে আৰু
তেওঁলোকৰ পত্নীসকলে বেলেগে বেলেগে বিলাপ কৰিব।

**১৩** "সেই দিনা পাপ আৰু অশুচিতা গুচাবলৈ দায়ুদ বংশৰ আৰু
যিৰূচালেম-নিবাসীসকলৰ কাৰণে এক ভূমুক খোলা যাব। ২
বাহিনীসকলৰ যিহোৱাৰ ঘোষণা এই - "সেইদিনা মই দেশৰ পৰা
প্ৰতিমাবোৰৰ নাম লুপ্ত কৰিম, তেতিয়া সেইবোৰক পুনৰ সোঁৱৰণ কৰা
নহ'ব; আৰু মই ভাববাদীসকলক আৰু অশুচিতাজনক আত্মাক দেশৰ
পৰা উলিয়াই পঠিয়াম। ৩ তেতিয়াও যদি কোনোৱে ভাববাণী প্ৰচাৰ
কৰে, তেনেহ'লে তেওঁৰ জন্মদাতা পিতৃ-মাতৃয়ে তেওঁক ক'ব, 'তই
জীয়াই নাথাকিবি, কিয়নো তই যিহোৱাৰ নাম লৈ মিছা কথা কৱ!' আৰু
সি প্ৰচাৰ কৰিলে তেওঁৰ জন্মদাতা পিতৃ-মাতৃয়ে তেওঁক খুচি মাৰিব।
৪ তেতিয়া এনে ঘটিব যে, সেই দিনা প্ৰত্যেক ভাববাদীয়ে প্ৰচাৰ কৰা
সময়ত নিজ নিজ দৰ্শনৰ বিষয়ে লজ্জিত হ'ব আৰু তেওঁলোকে ছল
কৰিবৰ অৰ্থে নোমাল হোলৌচোলা পুনৰ নিপিন্ধিব। ৫ কিয়নো তেওঁ
ক'ব, "মই ভাববাদী নহয়! মই কেৱল খেতিয়কহে; কিয়নো ল'ৰা

কালৰে পৰা মই খেতি কৰি আহিছোঁ। ৬ কিন্তু কোনোৱে তেওঁক ক'ব,
'তোমাৰ বাহু দুটাৰ মাজত এইবোৰ ঘাৰ দাগ কিহৰ?' তেতিয়া তেওঁ
উত্তৰ দিব, 'মোৰ বন্ধুসকলৰ ঘৰত মই এইবোৰ আঘাত পোৱা দাগ'।"
৭ "হে তৰোৱাল! তুমি মোৰ মেৰ-ছাগ ৰখীয়াৰ অহিতে, মোৰ লগৰীয়া
পুৰুষজনৰেই অহিতে সাৰ পোৱা"- এয়ে বাহিনীসকলৰ যিহোৱাৰ
ঘোষণা। "মেৰ-ছাগ ৰখীয়াজনক আঘাত কৰা, তেতিয়া মেৰ-ছাগবোৰ
ছিন্ন-ভিন্ন হৈ যাব! কিয়নো মই ক্ষুদ্ৰসকলৰ ওপৰত মোৰ হাত চলাম।
৮ যিহোৱাই কৰা ঘোষণা এই, গোটেই দেশৰ দুভাগ লোক উচ্ছন্ন
হ'ব!" তেওঁলোক অৱশিষ্ট নাথাকিব; কেৱল তৃতীয় ভাগ তাত অৱশিষ্ট
থাকিব। ৯ আৰু সেই তৃতীয় ভাগক মই জুইত সুমুৱাই, ৰূপ খপাৰ দৰে
খপিম আৰু সোণ পৰীক্ষা কৰাৰ দৰেপৰীক্ষা কৰিম। তেওঁলোকে মোৰ
নামেৰে প্ৰাৰ্থনা কৰিব, আৰু মই তেওঁলোকক উত্তৰ দি ক'ম, 'এয়ে
মোৰ প্ৰজা!' আৰু তেওঁলোকে ক'ব, 'যিহোৱা মোৰ ঈশ্বৰ'।"

**১4** চোৱা! যি দিনা তুমি লুট কৰি লোৱা দ্ৰব্য শত্ৰুৱে তোমাৰ
মাজত ভাগ কৰি ল'ব, যিহোৱাৰ এনে এটা সোধ-বিচাৰৰ দিন আহি
আছে। ২ কিয়নো মই যুঁজৰ অৰ্থে যিৰূচালেমৰ অহিতে আটাই জাতিক
গোটাম; তাতে নগৰখন আটক কৰা হ'ব! ঘৰবোৰ লুট কৰা হ'ব আৰু
মহিলাসকলক বলাৎকাৰ কৰা হ'ব! নগৰখনৰ এভাগ লোক বন্দী
অৱস্থালৈ ওলাই যাব, কিন্তু অৱশিষ্ট লোকসকলক নগৰখনৰ পৰা
উচ্ছন্ন কৰা নহ'ব। ৩ কিন্তু যিহোৱাই যুদ্ধ কৰিবলৈ ওলাই যাব আৰু
সেই নগৰবোৰৰ বিৰুদ্ধে তেওঁ যুঁজ কৰাৰ দৰেই যুঁজ কৰিব। ৪ সেই
দিনা পূৱফালে যিৰূচালেমৰ সন্মুখত থকা জৈতুন পৰ্ব্বতৰ ওপৰত
তেওঁৰ চৰণ স্থিতি হ'ব; আৰু জৈতুন পৰ্বত মাজেৰে ফাটি পূব আৰু
পশ্চিম ফালে ভাগ হৈ বৰ ডাঙৰ উপত্যকা হ'ব আৰু পৰ্বতৰ এফাল
উত্তৰ দিশে আৰু আন ফাল দক্ষিণ দিশে হুঁহকি যাব। ৫ তেতিয়া
তোমালোকে মোৰ পৰ্ব্বত দুখনৰ উপত্যকাইদি পলাবা; কিয়নো পৰ্ব্বত
দুখনৰ সেই উপত্যকা আঁচললৈকে বিস্তৃত হ'ব। এনে কি, যিহূদাৰ
ৰজা উজ্জিয়াৰ ৰাজত্বৰ সময়ত ভূমিকম্প হওঁতে যেনেকৈ তোমালোক
পলাইছিলা, তেনেকৈ পলাবা; তেতিয়া মোৰ ঈশ্বৰ যিহোৱা আহিব

আৰু তোমালোকৰ সৈতে সকলো পবিত্ৰ লোক থাকিব। ৬ আৰু সেই
দিনা পোহৰ নাইকিয়া হব, তৰাবোৰ ম্লান হৈ যাব। ৭ কিন্তু সেয়ে
যিহোৱাই জনা অনুপম দিন হ'ব, সেয়ে দিনো নহয় ৰাতিও নহয়, কিন্তু
সন্ধিয়া সময়ত পোহৰ হ'ব। ৮ আৰু সেইদিনা যিৰূচালেমৰ পৰা জীৱন্ত
জল সমূহ ওলাব, তাৰ আধা পূৱ সমুদ্ৰৰ ফালে, আধা পশ্চিম সমুদ্ৰৰ
ফালে যাব; সেয়ে গৰম বা জাৰকালতো থাকিব। ৯ যিহোৱা গোটেই
পৃথিৱীৰ ওপৰত ৰজা হ'ব! সেইদিনা যিহোৱা অদ্বিতীয় হ'ব আৰু
তেওঁৰ নামো অদ্বিতীয় হ'ব। ১০ গেবাৰে পৰা তাৰ মাজত দক্ষিণফালে
থকা ৰিম্মোনলৈকে গোটেই দেশ পৰিবৰ্ত্তন হৈ অৰাবা যেন হ'ব আৰু
নগৰখন বিন্যামীনৰ দুৱাৰৰ পৰা প্ৰথম দুৱাৰৰ ঠাইলৈকে, চুকৰ
দুৱাৰলৈকে আৰু হননেলৰ ওখ কোঁঠৰ পৰা ৰজাৰ দ্ৰাক্ষাকুণ্ডলৈকে ওখ
হৈ নিজ ঠাইত স্থাপিত হ'ব। ১১ লোকসকলে যিৰূচালেমত বাস কৰিব;
কোনো শত্ৰুৱে তেওঁলোকক ধ্বংস কৰিবলৈ তালৈ নাহিব। যিৰূচালেম
নিৰাপদে বাস কৰিব। ১২ যিৰূচালেমৰ বিৰুদ্ধে যুঁজ কৰা আটাই
জাতিক যিহোৱাই এই মহামাৰীৰে আঘাত কৰিব: ভৰিৰ ওপৰত
ভৰ দি থিয় হৈ থাকোঁতে তেওঁলোকৰ মাংস ক্ষয় পাব, চকুৰ গাতত
তেওঁলোকৰ চকু ক্ষয় পাব আৰু তেওঁলোকৰ মুখত তেওঁলোকৰ জিভা
ক্ষয় পাব। ১৩ আৰু সেই দিনা তেওঁলোকৰ মাজত যিহোৱাৰ পৰা
মহাকোলাহল উপস্থিত হ'ব; তেতিয়া প্ৰতিজনে নিজ ওচৰ-চুবুৰীয়াৰ
হাতত ধৰিব আৰু প্ৰতিজনে নিজ ওচৰ-চুবুৰীয়াৰ অহিতে হাত তুলিব।
১৪ যিহূদায়ো যিৰূচালেমত যুঁজ কৰিব! তেওঁলোকে চাৰিওফালে থকা
সকলো জাতিৰ সোণ ৰূপ, কাপোৰ আদি ধন-সম্পত্তি অধিকৰূপে
গোটাব। ১৫ আৰু সেই ছাউনিবোৰত থকা ঘোঁৰা, খছৰ, গাধ আদি
সকলো পশুৰ আঘাতবোৰ, সেই আঘাতৰ নিচিনাই হ'ব। ১৬ আৰু
যিৰূচালেমৰ বিৰুদ্ধে অহা আটাই জাতিৰ অৱশিষ্ট থকা প্ৰতিজনে
বছৰে বছৰে বাহিনীসকলৰ যিহোৱা ৰজাৰ আগত প্ৰণিপাত কৰিবলৈ
আৰু পঁজা-পৰ্ব্ব পালন কৰিবলৈ উঠি আহিব। ১৭ পৃথিবীৰ আটাই
গোষ্ঠীবোৰৰ মাজত যিসকলে বাহিনীসকলৰ যিহোৱা ৰজাৰ আগত
প্ৰণিপাত কৰিবলৈ যিৰূচালেমলৈ উঠি নাহিব, তেওঁলোকৰ ওপৰত

বৃষ্টি নহ’ব। ১৮ আৰু মিচৰীয়া গোষ্ঠী যদি উঠি আহি উপস্থিত নহয়,
তেন্তে তেওঁলোকৰ ওপৰতো বৰষুণ নহ’ব; পঁজা-পৰ্ব্ব পালন কৰিবলৈ
উঠি নহা জাতিক যিহোৱাই মহামাৰীৰে আঘাত কৰিব। ১৯ এয়ে
মিচৰৰ আৰু পঁজা-পৰ্ব্ব পালন কৰিবলৈ উঠি নহা আটাই জাতিৰ দণ্ড
হ’ব। ২০ কিন্তু সেই দিনা, “যিহোৱাৰ উদ্দেশ্যে পবিত্ৰ!” এই কথা
ঘোঁৰাবোৰৰ টিলিঙাত থাকিব আৰু যিহোৱাৰ গৃহত থকা সকলো ৰন্ধন-
পাত্ৰ যজ্ঞবেদীৰ আগত থকা তেজ ৰখা পাত্ৰবোৰৰ নিচিনা হ’ব; ২১
এনে কি, যিৰূচালেম আৰু যিহূদাৰ প্ৰত্যেক ৰন্ধন-পাত্ৰ বাহিনীসকলৰ
যিহোৱাৰ উদ্দেশ্যে পবিত্ৰ হ’ব; আৰু বলিদান কৰোঁতা আটাইলোকে
আহি তাৰ মাজত কোনো কোনো পাত্ৰ লৈ তাতে সিজাব। সেই দিনা
বাহিনীসকলৰ যিহোৱাৰ গৃহত কনানীয়া লোক পুনৰ নাথাকিব।

# মালাখি

১ মলাখীৰ দ্বাৰাই ইস্ৰায়েলীয়াসকললৈ যিহোৱাৰ বাক্য। ২ যিহোৱাই
কৈছে, “মই তোমালোকক প্ৰেম কৰিলোঁ,” কিন্তু তোমালোকে কোৱা,
“আপুনি আমাক কেনেকৈ প্ৰেম কৰিলে?” যিহোৱাই কৈছে, “এচৌ
জানো যাকোবৰ ককায়েক নাছিল? ৩ তথাপিও মই যাকোবকহে প্ৰেম
কৰিলোঁ; কিন্তু এচৌক অগ্ৰাহ্য কৰিলোঁ। মই তেওঁৰ পৰ্ব্বতবোৰ এক
ধ্বংসস্থান কৰিলোঁ আৰু তেওঁৰ উত্তৰাধিকাৰ মৰুভূমিৰ শিয়ালবোৰক
দিলোঁ।” ৪ যদিও ইদোমে কৈছে, “আমাক চূৰ্ণ-বিচূৰ্ণ কৰা হ’ল; কিন্তু
আমি ধ্বংসস্থানবোৰ পুনৰায় সাজিম;” সেয়ে, বাহিনীসকলৰ যিহোৱাই
কৈছে, “তেওঁলোকে সাজিব পাৰে, কিন্তু মই ভাঙি পেলাম; লোক
সকলে তেওঁলোকক ‘দুষ্টতাৰ দেশ’ আৰু ‘যিহোৱাই চিৰকাল ক্ৰোধ
কৰা জাতি বুলি’ ক’ব। ৫ ইয়াক তোমালোকে নিজৰ চকুৰে দেখা
পাবা আৰু তোমালোকে ক’বা, “ইস্ৰায়েলৰ সীমাৰ বাহিৰতো যিহোৱা
মহান হওঁক!” ৬ বাহিনীসকলৰ যিহোৱাই এই কথা কৈছে, “পুত্ৰই
নিজৰ পিতৃক আৰু দাসে নিজৰ মালিকক সমাদৰ কৰে; মই যদি পিতৃ
হওঁ, তেন্তে মোৰ সন্মান ক’ত? মই যদি মালিক হওঁ, তেন্তে মোৰ
প্ৰতি ভয় ক’ত? হায় পুৰোহিতসকল, তোমালোকেই মোৰ নাম তুচ্ছ
কৰিছা। কিন্তু তোমালোকে কৈছা, ‘আমি কেনেকৈ আপোনাৰ নাম তুচ্ছ
কৰিলোঁ?’ ৭ তোমালোকে মোৰ যজ্ঞ-বেদীৰ ওপৰত অশুচি খোৱা-বস্তু
উৎসৰ্গ কৰিছা। তথপিও কৈছা, ‘আমি কেনেকৈ আপোনাক অশুচি
কৰিলোঁ?’ এইকথা কওঁতেই যিহোৱাৰ মেজক ঘৃণিত কৰা হয়। ৮
তোমালোকে বলিদানৰ অৰ্থে যেতিয়া অন্ধ পশু উৎসৰ্গ কৰা, সেয়া
জানো দুষ্টতা নহয়? তোমালোকে যেতিয়া খোৰা আৰু ৰোগীয়া পশু
উৎসৰ্গ কৰা সেয়াও জানো দুষ্টতা নহয়? তোমালোকৰ দেশাধিপতিৰ
আগত তাক উপহাৰ স্বৰূপে দি চোৱাচোন; তেওঁ গ্ৰাহ্য কৰিবনে বা
তোমালোকৰ প্ৰতি প্ৰসন্ন হ’বনে? ইয়াকে বাহিনীগণৰ যিহোৱাই
কৈছে। ৯ এতিয়া তোমালোকে ঈশ্বৰৰ ওচৰত নিবেদন কৰা যেন
তেওঁ আমাৰ প্ৰতি সদয় হয়; তোমালোকৰ হাতেৰেই এনে উৎসৰ্গ
কৰা হৈছে, সেয়ে তেওঁ জানো তোমালোকৰ এজনকো গ্ৰাহ্য কৰিব?”

ইয়াকে বাহিনীগণৰ যিহোৱাই কৈছে। ১০ “ওহ! তোমালোকৰ মাজৰ
এজনেও যদি মন্দিৰৰ দুৱাৰবোৰ বন্ধ কৰিলেহেঁতেন, তেনেহলে
তোমালোকে মোৰ যজ্ঞবেদীৰ ওপৰত বৃথাই জুই নজ্বলালেহেতেঁন!
তোমালোকত মই অলপো সন্তুষ্ট নহয়।” ইয়াক বাহিনীগণৰ যিহোৱাই
কৈছে। “তোমালোকৰ হাতৰ পৰা মই কোনো উৎসৰ্গ গ্ৰহণ নকৰিম।
১১ কিয়নো সূৰ্যৰ উদয়স্থানৰ পৰা অস্তগমণস্থান পৰ্যন্ত সকলো জাতিৰ
মাজত মোৰ নাম মহান হ’ব আৰু প্ৰত্যেক স্থানত মোৰ নামৰ উদ্দেশ্যে
ধূপ জ্বলোৱা আৰু শুচি নৈবেদ্য উৎসৰ্গ কৰা হ’ব; কিয়নো মোৰ নাম
জাতিবোৰৰ মাজত মহান হ’ব” বাহিনীগণৰ যিহোৱাই কৈছে, ১২
“কিন্তু, তোমালোকেই ইয়াক অপবিত্ৰ কৰিছা; কিয়নো তোমালোকে
কৈছা, যিহোৱাৰ মেজ অশুচি; সেই মেজৰ ফল আৰু তাৰ খাদ্যক ঘৃণা
কৰা হ’ব। ১৩ তোমালোকে পুনৰ কৈছা, ‘এয়া কি যে কষ্টকৰ’ আৰু
তাৰ ওপৰত তোমালোকে ঘৃণাপূৰ্ণ হেষ্ৰাধ্বনি (নাকেৰে কৰা শব্দ)
কৰা;” ইয়াকে বাহিনীগণৰ যিহোৱাই কৈছে। “তোমালোকেতো লুট
কৰা, খোৰা আৰু ৰোগীয়া পশু আনি বলি উৎসৰ্গৰ কাৰণে দিয়া! মই
জানো সেয়া তোমালোকৰ হাতৰ পৰা গ্ৰহণ কৰিম?” ইয়াক যিহোৱাই
কৈছে, ১৪ “যি ছলনাকাৰীয়ে নিজৰ মেৰ-ছাগৰ জাকৰ মাজত মতা
মেৰ-ছাগ থাকিলেও প্ৰভুৰ উদ্দেশ্যে সঙ্কল্প কৰি এজনী ঘুণীয়া মাইকী
পশুৰ বলি উৎসৰ্গ কৰে, তেওঁ শাপগ্ৰস্ত হওঁক; কিয়নো মই মহান
ৰজা; সকলো জাতিৰ মাজত মোৰ নাম ভয়াবহ।” ইয়াক বাহিনীগণৰ
যিহোৱাই কৈছে।

**২** এতিয়া হে পুৰোহিতসকল, তোমালোকৰ প্ৰতি এই আজ্ঞা।
২ বাহিনীসকলৰ যিহোৱাই কৈছে, “মোৰ নামৰ মহিমা স্বীকাৰ
কৰিবৰ কাৰণে তোমালোকে যদি মোৰ কথা নুশুনা আৰু মনোযোগ
নিদিয়া, তেন্তে মই তোমালোকৰ ওপৰত এক শাও পঠাম আৰু
তোমালোকৰ সকলো আশীৰ্ব্বাদৰ পাত্ৰক শাওলৈ পৰিণত কৰিম।
বাস্তৱিক ইতিমধ্যে মই সকলোকে শাও দিলোঁ; কাৰণ তোমালোকে
মোৰ আজ্ঞালৈ মনোযোগ দিয়া নাই। ৩ চোৱা, মই তোমালোকৰ
কাৰণেই তোমালোকৰ বংশধৰসকলক শাস্তি দিম। তোমালোকৰ

মুখত মই উৎসৱৰ উৎসৰ্গিত পশুৰ বিষ্ঠা লিপি দিম আৰু তাৰেই
সৈতে তোমালোকক লৈ যোৱা হ'ব।" ৪ "তোমালোকে জানিবা যে,
মই তোমালোকৰ ওচৰলৈ এই আজ্ঞা পঠাইছো যাতে লেবীৰ সৈতে
স্থাপন কৰা মোৰ ব্যৱস্থা চলি থাকে।" ইয়াক বাহিনীসকলৰ যিহোৱাই
কৈছে। ৫ "লেবীৰ লগত মই যি ব্যৱস্থা স্থাপন কৰিছিলোঁ, সেয়া
জীৱন আৰু শান্তিৰ ব্যৱস্থা; মই তেওঁক সেই দুয়োকো দিছিলোঁ; তেওঁ
মোক যাতে ভয় কৰে, ই এক ভয়ৰ ব্যৱস্থাও; তেওঁ মোক সঁচাই ভয়
কৰিছিল আৰু মোৰ নামত ভীত হৈছিল। ৬ তেওঁৰ মুখত সত্যতাৰ
শিক্ষা আছিল আৰু তেওঁৰ ওঁঠত কোনো অধৰ্ম পোৱা নাছিলো; তেওঁ
শান্তিৰে আৰু সত্যতাৰে মোৰ লগত অহাযোৱা কৰিছিল আৰু অনেকক
পাপৰ পৰা ঘূৰাইছিল। ৭ এজন পুৰোহিতৰ ওঁঠে জ্ঞান ৰক্ষা কৰিব
লাগে আৰু মানুহে তেওঁৰ মুখৰ পৰা আদেশ বিচাৰিব লাগে; কাৰণ
তেঁৱেই মোৰ অৰ্থাৎ বাহিনীসকলৰ যিহোৱাৰ বাৰ্তাবাহক। ৮ কিন্তু
তোমালোকে হ'লে সত্যৰ পথৰ পৰা এফলীয়া হৈ গ'লা; ব্যৱস্থা
সম্পৰ্কীয় শিক্ষাত অনেকক উজুটি খুৱালা। এইদৰে লেবীৰ সৈতে
হোৱা মোৰ নিয়মটি তোমালোকে নষ্ট কৰিলা।" ইয়াক বাহিনীসকলৰ
যিহোৱাই কৈছে। ৯ "সকলো লোকৰ সন্মুখত মই তোমালোকক তুচ্ছ
আৰু ঘৃণাৰ পাত্ৰ কৰিলোঁ; কাৰণ মোৰ পথত তোমালোকে চলা নাই,
কিন্তু তাৰ পৰিবৰ্তে ব্যৱস্থাৰ বিষয়ত লোকসকলৰ লগত পক্ষপাতিত্ব
কৰিলা।" ১০ আমাৰ সকলোৰে পিতৃ এজনা নহয় জানো? এজনা
ঈশ্বৰেই জানো আমাক স্ৰজন কৰা নাই? তেন্তে আমি কিয় প্ৰতিজনে
নিজ নিজ ভাইলৈ বিশ্বাসঘাতকতা কৰি আমাৰ পৈতৃক ব্যৱস্থাক
অপবিত্ৰ কৰোঁ? ১১ যিহূদাই বিশ্বাসঘাতকতা কৰিলে; ইস্ৰায়েল আৰু
যিৰূচালেমত ঘিণলগীয়া কাৰ্য কৰা হৈছে; কিয়নো যিহূদাই যিহোৱাৰ
সেই পবিত্ৰস্থান, যাক তেওঁ প্ৰেম কৰে, তাক অপবিত্ৰ কৰিছে; যিহূদাৰ
লোকে এজন বিদেশী দেৱতাৰ কন্যাক বিয়া কৰিছে। ১২ যি ব্যক্তিয়ে
এনেৰূপ কাৰ্য কৰে, তেওঁ যদিও বাহিনীসকলৰ যিহোৱাৰ উদ্দেশ্যে
নৈবেদ্য উৎসৰ্গ কৰে, তথাপিও যিহোৱাই যাকোবৰ বংশৰ মাজৰ
পৰা তেওঁক উচ্ছন্ন কৰিব। ১৩ তোমালোকৰ আন এটা অপকৰ্ম এই;

তোমালোকে চকু-লো, ক্ৰন্দন আৰু বিলাপেৰে যিহোৱাৰ যজ্ঞবেদী
সম্পূৰ্ণকৈ তিয়াই পেলাইছা; সেই কাৰণে তোমালোকে যি উৎসৰ্গ কৰে,
তাৰ প্ৰতি তেওঁ দৃষ্টিপাত নকৰে আৰু প্ৰসন্ন হৈ তোমালোকৰ হাতৰ
পৰা তাক গ্ৰহণো নকৰে। ১৪ তোমালোকে কোৱা, "কিয় নকৰে?"
ইয়াৰ কাৰণ হৈছে, যিহোৱা তোমালোক প্ৰত্যেকজন লোক আৰু তেওঁৰ
যৌৱনকালৰ ভাৰ্যাৰ বিবাহৰ মাজত সাক্ষী হৈছিল; যদিও তেওঁ তোমাৰ
সংগী আৰু বিবাহৰ নিয়মৰ দ্বাৰা হোৱা তোমাৰ ভাৰ্যা, তথাপিও তুমি
তেওঁৰ প্ৰতি বিশ্বাস-ঘাতকতা কৰিছা। ১৫ যিহোৱাই জানো স্বামী
আৰু ভাৰ্যাক নিজৰ আত্মাৰ এক অংশৰে এক কৰা নাই? শৰীৰ আৰু
আত্মাত তেওঁলোক তেওঁৰেই। তেওঁ তেওঁলোকক কিয় এক কৰিলে?
কাৰণ তেওঁ তেওঁলোকৰ দ্বাৰাই ঈশ্বৰভক্ত বংশ পাবলৈ আশা কৰি
আছিল; গতিকে তোমালোকে নিজৰ নিজৰ আত্মাৰ বিষয়ে সাৱধান
হোৱা; যৌৱনকালৰ ভাৰ্য্যাৰ সৈতে কোনেও বিশ্বাস-ঘাতকতা নকৰিব।
১৬ "কিয়নো মই ভাৰ্য্যা ত্যাগ ঘিণ কৰোঁ" ইয়াক ইস্ৰায়েলৰ ঈশ্বৰ
যিহোৱাই কৈছে। বাহিনীগণৰ যিহোৱাই কৈছে, "যিজনে নিজৰ বস্ত্ৰ
অত্যাচাৰেৰে ঢাকে, তেওঁক মই ঘিণ কৰোঁ;" সেয়ে আপোনালোকে
নিজৰ নিজৰ আত্মাৰ বিষয়ে সাৱধান হওঁক, বিশ্বাস-ঘাতকতা নকৰিব।
১৭ তোমালোকে নিজৰ কথাৰ দ্বাৰাই যিহোৱাক ক্লান্ত কৰি তুলিছা;
কিন্তু তোমালোকে কৈছা, "কেনেকৈ আমি তেওঁক ক্লান্ত কৰিছোঁ?"
এইদৰে তোমালোকে কৰিছা, কিয়নো তোমালোকে কৈছা, "যিসকলে
দুষ্কৰ্ম কৰে, তেওঁ যিহোৱাৰ দৃষ্টিত উত্তম আৰু তেওঁ তেওঁলোকৰ
ওপৰত সন্তুষ্ট," নাইবা তোমালোকে কৈছা, "ন্যায় বিচাৰ কৰোঁতা সেই
ঈশ্বৰ ক'ত আছে?"

৩ বাহিনীগণৰ যিহোৱাই কৈছে, "চোৱা, মই মোৰ নিজ বাৰ্তবাহকক
পঠাম আৰু তেওঁ মোৰ আগেয়ে গৈ পথ যুগুত কৰিব; তাৰ পাছত
যি প্ৰভুৰ কাৰণে তোমালোকে অপেক্ষা কৰিছা, তেওঁ হঠাতে নিজৰ
মন্দিৰলৈ আহিব; নিয়মৰ সেই বাৰ্তাবাহক, যিজনাত তোমালোক
আনন্দিত হোৱা, চোৱা, তেওঁ আহি আছে।" ২ কিন্তু তেওঁৰ আগমনৰ
দিন কোনে সহিব পাৰিব? তেওঁ উপস্থিত হ'লে কোনে থিয় হৈ থিৰেৰে

থাকিব পাৰিব? কিয়নো তেওঁ শোধন কৰা একুৰা জুইৰ তুল্য আৰু
ধোবাৰ চাবোনৰ তুল্য। ৩ তেওঁ ৰূপ পৰিস্কাৰ আৰু বিশুদ্ধ কৰা লোকৰ
দৰে বিচাৰ কৰিবলৈ বহিব। তেওঁ লেবীৰ সন্তান সকলক শুচি কৰিব;
সোণ আৰু ৰূপৰ দৰে তেওঁলোকক বিশুদ্ধ কৰিব। পাছত তেওঁলোকে
যিহোৱাৰ উদ্দেশ্যে ধাৰ্মিকতাৰ নৈবেদ্য উৎসৰ্গ কৰিব। ৪ তেতিয়া
যেনেকৈ পূৰ্বৰ দিনবোৰত আৰু আদিকালৰ বছৰবোৰত হৈছিল,
তেনেকৈ যিহূদা আৰু যিৰূচালেমৰ লোকসকলৰ উৎসৰ্গৰ নৈবেদ্যৰে
যিহোৱাক সন্তুষ্ট কৰিব। ৫ বাহিনীগণৰ যিহোৱাই কৈছে, “তেতিয়া মই
বিচাৰ কৰিবৰ কাৰণে তোমালোকৰ ওচৰলৈ আহিম; সেই সময়ত
মায়াবী, ব্যভিচাৰী, মিছা সাক্ষী আৰু যিসকলে বনুৱাৰ পাৰিশ্ৰমিকত
অন্যায় কৰে, বিধৱা আৰু পিতৃহীনক অত্যাচাৰ কৰে, বিদেশীৰ প্ৰতি
অবিচাৰ কৰে আৰু যিসকলে মোক ভয় নকৰে, সেই লোকসকলৰ
বিৰুদ্ধে মই এক দ্ৰুত সাক্ষী হৈ আহিম।” ৬ “কিয়নো মই, যিহোৱা,
মোৰ কোনো পৰিবৰ্ত্তন নাই; সেয়ে, হে যাকোবৰ বংশধৰ, তোমালোক
বিনষ্ট হোৱা নাই। ৭ তোমালোকৰ পূৰ্ব-পুৰুষসকলৰ দিনৰে পৰা
তোমালোকে মোৰ বিধিবোৰ ত্যাগ কৰি আহিছা, সেইবোৰ পালন
কৰা নাই। মোৰ ওচৰলৈ ঘূৰি আহাঁ আৰু ময়ো তোমালোকৰ কাষলৈ
ঘূৰি আহিম; কিন্তু তোমালোকে কৈছা, ‘আমি কেনেকৈ ঘূৰি আহিম?’
৮ মানুহে ঈশ্বৰক ঠগাব নেকি? কিন্তু তোমালোকেতো মোক ঠগাইছা।
তথাপিও তোমালোকে কৈছা, ‘আমি কেনেকৈ আপোনাক ঠগাইছোঁ?’
আয়ৰ দশম ভাগত আৰু দানৰ বিষয়ত তোমালোকে মোক ঠগাইছা। ৯
তোমালোক এক অভিশাপত অভিশপ্ত; কিয়নো তোমালোকে মোকেই
ঠগাইছা, এনে কি গোটেই জাতিয়েই ঠগাইছে। ১০ তোমালোকে
তোমালোকৰ সমস্ত আয়ৰ দশমাংশ মোৰ গৃহত আহাৰ হ’বৰ কাৰণে
ভঁৰাললৈ আনা। মই তোমালোকলৈ আকাশৰ দুৱাৰ মুকলি কৰিম
নে নকৰিম, আৰু ঠায়ে নধৰাকৈ তোমালোকলৈ আশীৰ্ব্বাদ বৰ্ষাম
নে নবৰ্ষাম, তাক জানিবলৈ তোমালোকে ইয়াৰেই মোক পৰীক্ষা
কৰি চোৱা।” বাহিনীসকলৰ যিহোৱাই এই কথা কৈছে। ১১ “মই
তোমালোকৰ বিৰুদ্ধে গ্ৰাসকাৰী পোকক ধমকি দিম যাতে সেইবোৰে

তোমালোকৰ ভূমিৰ শস্য নষ্ট নকৰিব; তোমালোকৰ বাৰীৰ দ্ৰাক্ষালতাৰ
ফল সময়ৰ আগেয়ে সৰি নপৰিব।” ইয়াক বাহিনীগণৰ যিহোৱাই
কৈছে। ১২ “সকলো জাতিয়ে তোমালোকক ধন্য বুলিব; কিয়নো,
তোমালোক আনন্দপূৰ্ণ দেশৰ লোক হ’বা।” বাহিনীগণৰ যিহোৱাই
এই কথা কৈছে। ১৩ যিহোৱাই পুনৰ কৈছে, “তোমালোকে মোৰ
অহিতে টান টান কথা কৈছা।” কিন্তু তোমালোকে কৈছা, ‘আমি তোমাৰ
অহিতে কি কলোঁ?’ ১৪ তোমালোকে ক’লা, ‘ঈশ্বৰৰ ভজনা কৰা
অনৰ্থক। তেওঁৰ আজ্ঞা পালন কৰা বা শোক প্ৰকাশ কৰি বাহিনীসকলৰ
যিহোৱাৰ সাক্ষাতে চলা-ফুৰা কৰাৰ দ্বাৰাই আমাৰ কি লাভ হ’ল? ১৫
আমি এতিয়া গৰ্ব্বী লোকসকলক ধন্য বোলোঁ; হয়, দুষ্টাচাৰীসকল
প্ৰতিষ্ঠিত হৈছে আৰু তেওঁলোকে ঈশ্বৰক পৰীক্ষা কৰিও ৰক্ষা পাইছে।”
১৬ তেতিয়া যিসকলে যিহোৱাক ভয় কৰে, তেওঁলোকে এজনে আন
জনৰ সৈতে আলাপ কৰিলে আৰু যিহোৱাই তাক মনোযোগেৰে
শুনিলে; যিহোৱালৈ ভয় ৰাখোঁতা আৰু তেওঁৰ নামক সন্মান কৰোঁতা
সকলৰ কাৰণে তেওঁলোকৰ সন্মুখত এখন স্মৰণাৰ্থক পুথি লিখা
হ’ল। ১৭ বাহিনীসকলৰ যিহোৱাই কৈছে, “তেওঁলোক মোৰেই হ’ব;
মই কাৰ্য কৰাৰ দিনা তেওঁলোক মোৰ নিজৰ বিশেষ সম্পত্তি হ’ব;
মানুহে যেনেকৈ নিজৰ সেৱাকাৰী পুতেকক মৰম কৰি শাস্তিৰ পৰা
ৰেহাই দিয়ে, ময়ো তেওঁলোকক ৰেহাই দিম। ১৮ তেতিয়া পুনৰায়
তোমালোক ঘূৰি আহিবা; ধাৰ্মিক আৰু দুষ্টৰ মাজত, অৰ্থাৎ ঈশ্বৰৰ
আৰাধনা কৰা লোকৰ আৰু তেওঁৰ আৰাধনা নকৰা লোকৰ মাজত
প্ৰভেদ দেখিবলৈ পাবা।”

**4** বাহিনীসকলৰ যিহোৱাই এই কথা কৈছে, “কিয়নো চোৱা, সেই দিন
আহিছে; সেয়ে অগ্নিশালৰ নিচিনাকৈ জ্বলিব। সেই দিনা সকলো গৰ্ব্বী
ও দুষ্টাচাৰী লোক নৰাৰ নিচিনা হ’ব; যি দিন আহি আছে, সেই দিনে
তেওঁলোকক পুৰি পেলাব; এডাল শিপা কি ডাল একোকে অৱশিষ্ট
নথকাকৈ তেওঁলোকক পুৰি পেলাব। ২ কিন্তু মোৰ নামত ভয় ৰাখোঁতা
যি তোমালোক, তোমালোকৰ প্ৰতি ধাৰ্মিকতাৰূপ সূৰ্য উদিত হ’ব, যাৰ
কিৰণ সুস্থতাদায়ক; তোমালোকে বাহিৰ হৈ গোহালিৰ পৰা মুকলি

হোৰা দামুৰিৰ নিচিনাকৈ ডেও দিবা। ৩ তোমালোকে দুষ্ট লোকসকলক
গচকিবা; মই এই কাৰ্য কৰাৰ দিনা তেওঁলোক তোমালোকৰ ভৰিৰ
তলত থকা ছাঁই যেন হ'ব।" ইয়াক বাহিনীসকলৰ যিহোৱাই কৈছে।
৪ "তোমালোকে মোৰ দাস মোচিৰ ব্যৱস্থাৰ কথা অৰ্থাৎ মই তেওঁক
হোৰেব পৰ্বতত সকলো ইস্ৰায়েলৰ কাৰণে যি সকলো বিধি আৰু
শাসন-প্ৰণালীবোৰ দিছিলোঁ, সেইবোৰ সোঁৱৰণ কৰা। ৫ চোৱা,
যিহোৱাৰ সেই মহৎ আৰু ভয়ানক দিন অহাৰ পূৰ্বেই মই তোমালোকৰ
ওচৰলৈ এলিয়া ভাববাদীক পঠাম। ৬ তেওঁ পিতৃসকলৰ হৃদয় সন্তান
সকলৰ প্ৰতি আৰু সন্তান সকলৰ হৃদয় পিতৃসকললৈ ঘূৰাব যাতে মই
আহি পৃথিৱীক অভিশাপেৰে আঘাত নকৰিম।"

# নতুন নিয়ম




তেতিয়া যীচুৱে ক'লে, "হে পিতৃ, এওঁলোকক ক্ষমা কৰা; কিয়নো এওঁলোকে কি কৰিছে, সেই বিষয়ে নাজানে।"
পাছত তেওঁলোকে চিঠি খেলি তেওঁৰ বস্ত্ৰ ভগাই ললে।
লূক ২৩:৩৪

# মথি

১ যীচু খ্ৰীষ্ট দায়ুদৰ বংশৰ আৰু দায়ুদ অব্ৰাহামৰ বংশৰ লোক। যীচু
খ্ৰীষ্টৰ বংশৰ তালিকা এই: - ২ অব্ৰাহামৰ পুত্ৰ ইচহাক; ইচহাকৰ পুত্ৰ
যাকোব; যাকোবৰ পুত্ৰ যিহূদা আৰু তেওঁৰ ভায়েক-ককায়েক সকল;
৩ যিহূদাৰ পুত্ৰ পেৰচ আৰু চেৰহৰ, তেওঁলোকৰ মাক আছিল তামাৰ৷
পেৰচৰ পুত্ৰ হিষ্ৰোণ; হিষ্ৰোণৰ পুত্ৰ ৰাম৷ ৪ ৰামৰ পুত্ৰ অম্মীনাদব;
অম্মীনাদবৰ পুত্ৰ নহচোন; নহচোনৰ পুত্ৰ চলমোন৷ ৫ চলমোনৰ পুত্ৰ
বোৱজ - তেওঁৰ মাক আছিল ৰাহব৷ বোৱজৰ পুত্ৰ ওবেদ তেওঁৰ মাক
আছিল ৰূথ৷ ওবেদৰ পুত্ৰ যিচয়; ৬ যিচয়ৰ পুত্ৰ দায়ুদ ৰজা। দায়ুদৰ
পুত্ৰ চলোমন, তেওঁৰ মাক আছিল উৰিয়াৰ ভাৰ্যা। ৭ চলোমনৰ পুত্ৰ
ৰহবিয়াম; ৰহবিয়ামৰ পুত্ৰ অবিয়৷ অবিয়ৰ পুত্ৰ আচা; ৮ আচাৰ পুত্ৰ
যিহোচাফট৷ যিহোচাফটৰ পুত্ৰ যোৰাম; যোৰামৰ পুত্ৰ উচিয়৷ ৯ উচিয়ৰ
পুত্ৰ যোথম; যোথমৰ পুত্ৰ আহচ; আহচৰ পুত্ৰ হিস্কিয়া৷ ১০ হিস্কিয়াৰ পুত্ৰ
মনচি; মনচিৰ পুত্ৰ আমোন; আমোনৰ পুত্ৰ যোচিয়া৷ ১১ যোচিয়াৰ পুত্ৰ
যেখনীয়া আৰু তেওঁৰ ভায়েক সকল। ইস্ৰায়েল জাতিক বাবিল দেশলৈ
বন্দী হিচাপে লৈ যোৱাৰ সময়ত এওঁলোক আছিল। ১২ বাবিল দেশলৈ
নিয়াৰ পাছত যেখনীয়াৰ পুত্ৰ চল্টীয়েলৰ জন্ম হ'ল৷ চল্টীয়েলৰ পুত্ৰ
জৰুব্বাবিল; ১৩ জৰুব্বাবিলৰ পুত্ৰ আবীহূদ৷ আবীহূদৰ পুত্ৰ ইলীয়াকীম;
ইলীয়াকীমৰ পুত্ৰ আচোৰ৷ ১৪ আচোৰৰ পুত্ৰ চাদোক; চাদোকৰ পুত্ৰ
আখীম৷ আখীমৰ পুত্ৰ ইলীহূদ; ১৫ ইলীহূদৰ পুত্ৰ ইলিয়াচৰ৷ ইলিয়াচৰৰ
পুত্ৰ মত্তন; মত্তনৰ পুত্ৰ যাকোব৷ ১৬ যাকোবৰ পুত্ৰ যোচেফ; তেওঁ
মৰিয়মৰ স্বামী আৰু এই মৰিয়মৰ গৰ্ভত যীচুৰ জন্ম হয়, যি জনক খ্ৰীষ্ট
বোলা হয়। ১৭ এইদৰে অব্ৰাহামৰ পৰা দায়ুদ লৈ মুঠ চৌদ্ধ পুৰুষ;
দায়ুদৰ পৰা বাবিল দেশলৈ বন্দী কৰি নিয়া পৰ্যন্ত মুঠ চৌদ্ধ পুৰুষ;
পুণৰ বাবিললৈ বন্দী কৰি নিয়াৰ পাছৰ পৰা খ্ৰীষ্টলৈ মুঠ চৌদ্ধ পুৰুষ।
১৮ যীচু খ্ৰীষ্টৰ জন্ম এইদৰে হৈছিল৷ যীচুৰ মাক মৰিয়মক যোচেফলৈ
বাগ্দান কৰা হৈছিল, কিন্তু তেওঁলোক একেলগ হোৱাৰ পূৰ্বেই মৰিয়মে
পবিত্ৰ আত্মাৰ শক্তিত গৰ্ভৱতী হোৱা অনুভৱ কৰিলে। ১৯ তেওঁৰ স্বামী
যোচেফ এজন ধাৰ্মিক লোক হোৱাত মৰিয়মক মানুহৰ আগত নিন্দাৰ

পাত্ৰ কৰিবলৈ ইচ্ছা নকৰি, গুপুতে ত্যাগ কৰিবলৈ মন কৰিলে। ২০
কিন্তু তেওঁ যেতিয়া এইবোৰ কথা চিন্তা কৰিলে, তেতিয়া প্ৰভুৰ এজন
দূত আহি সপোনত তেওঁক দৰ্শন দি ক'লে, "হে দায়ুদৰ বংশৰ সন্তান
যোচেফ, তোমাৰ ভাৰ্যা মৰিয়মক গ্ৰহণ কৰিবলৈ ভয় নকৰিবা; কিয়নো
তেওঁৰ গৰ্ভৰ সন্তান পবিত্ৰ আত্মাৰ পৰা হৈছে। ২১ তেওঁ এটি পুত্ৰ
প্ৰসৱ কৰিব আৰু তুমি তেওঁৰ নাম যীচু থবা। কাৰণ তেৱেঁই নিজৰ
লোকক তেওঁলোকৰ পাপ সমূহৰ পৰা মুক্ত কৰিব।" ২২ এই সকলো
ঘটিছিল যাতে ভাৱবাদীৰ দ্বাৰাই প্ৰভুৱে এই যি বচন কোৱাইছিল সেয়া
পূৰ্ণ হয়: ২৩ "চোৱা, সেই কুমাৰী গৰ্ভৱতী হৈ এটি পুত্ৰ প্ৰসৱ কৰিব,
আৰু তেওঁলোকে তেওঁৰ নাম ইম্মানূৱেল থব;" এই নামৰ অৰ্থ আমাৰ
লগত ঈশ্বৰ। ২৪ পাছত যোচেফে টোপনিৰ পৰা সাৰ পাই উঠি, প্ৰভুৰ
দূতে তেওঁক আজ্ঞা দিয়াৰ দৰে নিজৰ ভাৰ্য্যাৰূপে মৰিয়মক গ্ৰহণ
কৰিলে। ২৫ কিন্তু পুত্ৰ প্ৰসৱ নকৰা পৰ্যন্ত যোচেফে তেওঁৰ সৈতে
সহবাস নকৰিলে। পাছত যোচেফে সেই সন্তানৰ নাম যীচু থলে।

২ হেৰোদ যেতিয়া যিহুদীয়াৰ ৰজা আছিল, তেতিয়া যিহুদীয়াৰ
বৈৎলেহম নামৰ ঠাইত যীচুৰ জন্ম হ'ল৷ সেই সময়ত পূব দেশৰ পৰা
কেইজনমান জ্যোতিষী পণ্ডিতে যিৰূচালেমলৈ আহি সুধিলে, ২ "যিহুদী
সকলৰ যি জন ৰজা জন্মিছে, তেওঁ ক'ত? কিয়নো পূব দিশত আমি
তেওঁৰ তৰা দেখা পালোঁ, আৰু তেওঁক প্ৰণিপাত কৰিবলৈ আহিছোঁ।"
৩ এই কথা শুনাত হেৰোদ ৰজাৰ লগতে গোটেই যিৰূচালেমত উগুল-
থুগুল লাগিল। ৪ তেতিয়া হেৰোদে সকলো প্ৰধান পুৰোহিত আৰু
বিধানৰ অধ্যাপক সকলক মাতি একগোট কৰিলে আৰু তেওঁলোকক
সুধিলে, "খ্ৰীষ্টই ক'ত জন্ম গ্ৰহণ কৰিব?" ৫ তেওঁলোকে তেওঁক
ক'লে, "যিহুদীয়া প্ৰদেশৰ বৈৎলেহম নামৰ ঠাইত; কিয়নো ভাববাদীৰ
দ্বাৰাই এইদৰে লিখা আছে, ৬ 'আৰু তুমি, যিহূদা প্ৰদেশৰ বৈৎলেহম,
তুমি যিহুদাৰ অধিপতি সকলৰ মাজত কোনোমতে নগণ্য নহয়।
কিয়নো তোমাৰ মাজৰ পৰাই এজন শাসনকৰ্তা ওলাব, তেৱেঁ মোৰ
লোক ইস্রায়েলক চৰাব।'" ৭ তেতিয়া হেৰোদে সেই জ্যোতিষী পণ্ডিত
কেইজনক গুপুতে মাতি সেই তৰা সঠিকৰূপে কোন সময়ত আবিৰ্ভুত

হৈছিল, সেই বিষয়ে তেওঁলোকৰ পৰা জানিবৰ বাবে সুধিলে। ৮ তাৰ
পাছত তেওঁলোকক বৈৎলেহমলৈ পঠিয়াই দি ক'লে, "আপোনালোক
যাওক আৰু সেই শিশুটোৰ বিষয়ে ভালদৰে বিচাৰ লওঁক; আৰু বিচাৰি
পালে, তেওঁৰ সম্বাদ আহি মোক দিব, তেতিয়া ময়ো গৈ তেওঁক
প্ৰণিপাত কৰিব পাৰিম।" ৯ ৰজাৰ এই কথা শুনি তেওঁলোক গুচি
গ'ল; তাতে যি তৰা তেওঁলোকে পূব দিশত দেখিছিল, সেই তৰা
তেওঁলোকৰ আগে আগে গৈ শিশুটি থকা ঠাই পালে, আৰু সেই ঠাইৰ
ওপৰত ৰৈ থাকিল। ১০ তাতে সেই তৰা দেখি, তেওঁলোক আনন্দত
অতি আত্মহাৰা হ'ল। ১১ তাৰ পাছত তেওঁলোকে ঘৰৰ ভিতৰলৈ
সোমাই গৈ মাক মৰিয়মে সৈতে শিশুটিক দেখি নতশিৰে প্ৰণিপাত
কৰি তেওঁৰ আৰাধনা কৰিলে। তাৰ পাছত নিজৰ নিজৰ বহুমূলীয়া
বস্তুৰ টোপোলা মেলি, সোণ, ধূনাএঁঠা আৰু গন্ধৰস উপহাৰ দিলে। ১২
পাছত হেৰোদৰ ওচৰলৈ উলটি নাযাবৰ বাবে তেওঁলোকে সপোনত
ঈশ্বৰৰ পৰা সাৱধান বাণী পোৱাত, তেওঁলোকে বেলেগ বাটেৰে নিজৰ
নিজৰ দেশলৈ উভটি গ'ল। ১৩ তেওঁলোক যোৱাৰ পাছত, প্ৰভুৰ এজন
দূতে সপোনত আবিৰ্ভুত হৈ যোচেফক ক'লে, "উঠা, শিশু আৰু তেওঁৰ
মাকক লৈ, মিচৰ দেশলৈ পলাই যোৱা আৰু মই তোমাক নোকোৱা
পৰ্যন্ত সেই ঠাইতে থাকিবা, উলটি নাহিবা; কিয়নো ল'ৰা জনক বিনাশ
কৰিবৰ কাৰণে হেৰোদে তেওঁক বিচাৰি আছে।" ১৪ সেই নিশাই
যোচেফে উঠি, শিশু আৰু তেওঁৰ মাকক লৈ মিচৰ দেশলৈ গ'ল, ১৫
আৰু হেৰোদৰ মৃত্যুলৈকে তেওঁলোক সেই ঠাইতে থাকিল। "মিচৰ
দেশৰ পৰা মই মোৰ পুত্ৰক মাতিলো" এই যি বচন ভাববাদীৰ দ্বাৰাই
প্ৰভুৱে কোৱাইছিল, এই বচন সিদ্ধ হবলৈ এইদৰে ঘটিল। ১৬ তেতিয়া
জ্যোতিষী পণ্ডিত কেইজনৰ দ্বাৰাই নিজকে প্ৰবঞ্চিত হোৱা দেখি
হেৰোদ অতিশয় ক্ৰুদ্ধ হ'ল। তেওঁ জ্যোতিষী পণ্ডিত কেইজনৰ পৰা
যি সময়ৰ কথা জানিছিল, সেই কাল অনুসাৰে দুবছৰ আৰু তাতকৈ
কম বয়সৰ যিমান ল'ৰা শিশু বৈৎলেহম আৰু ইয়াৰ আশে-পাশে
থকা অঞ্চল সমূহত আছিল, সেই সকলোকে বধ কৰিবলৈ আদেশ দি
পঠিয়াই দিলে। ১৭ তেতিয়া যিৰিমিয়া ভাববাদীৰ দ্বাৰাই যি কথা কোৱা

হৈছিল, সেয়া সিদ্ধ হ'ল: ১৮ "ৰামাত এটা মাত শুনা গ'ল, বিলাপৰ
ৰোল আৰু মহা-শোক, ৰাহেলে নিজৰ সন্তান সকলৰ কাৰণে ক্ৰন্দন
কৰিছে আৰু তেওঁ সান্ত্বনা পাবলৈও ইচ্ছা কৰা নাই, কাৰণ তেওঁলোকৰ
কোনো জীয়াই থকা নাই।" ১৯ পাছত যেতিয়া হেৰোদৰ মৃত্যু হ'ল,
তেতিয়া প্ৰভুৰ এজন দূতে মিচৰ দেশত থাকোতেই সপোনত আবিৰ্ভূত
হৈ যোচেফক ক'লে, ২০ "উঠা, ল'ৰাটি আৰু তেওঁৰ মাকক লৈ
ইস্ৰায়েল দেশলৈ উলটি যোৱা; কিয়নো যি সকলে এই শিশুটোৰ প্ৰাণ
নাশ কৰিবলৈ বিচাৰি আছিল, তেওঁলোকৰ মৃত্যু হ'ল।" ২১ তেতিয়া
যোচেফে উঠি, শিশু আৰু তেওঁৰ মাকক লৈ ইস্ৰায়েল দেশলৈ আহিল।
২২ কিন্তু যেতিয়া যোচেফে শুনিলে যে যিহুদীয়াত পিতৃ হেৰোদৰ স্থানত
তেওঁৰ পুত্ৰ আৰ্খিলায়ে ৰাজ্য শাসন কৰিছে, তেতিয়া তেওঁ তালৈ উলটি
যাবৰ বাবে ভয় কৰিলে; পাছত ঈশ্বৰে এক সপোনত সাৱধান কৰি
দিয়াত তেওঁ গালীল প্ৰদেশলৈ গ'ল, ২৩ আৰু তাত নাচৰত নামৰ
এখন নগৰত বসবাস কৰিব ধৰিলে। তেওঁক নাচৰতীয়া বুলি মতা
হ'ব, এই যি বচন ভাববাদী সকলৰ দ্বাৰাই কোৱা হৈছিল, এই বচন
সিদ্ধ হবৰ বাবে এইদৰে ঘটিল।

৩ সেই কালত বাপ্তাইজক যোহন আহি, যিহুদীয়াৰ মৰুপ্ৰান্তত প্ৰচাৰ
কৰিব ধৰিলে। ২ তেওঁ ক'লে, "মন-পালটন কৰক। কিয়নো স্বৰ্গৰাজ্য
ওচৰ হ'ল।" ৩ কাৰণ এৰেঁই সেই যোহন, যি জনৰ বিষয়ে যিচয়া
ভাৱবাদীৰ দ্বাৰাই এই বুলি কোৱা হৈছিল যে, "মৰুপ্ৰান্তত এজনৰ
উচ্চস্বৰ শুনা গৈছে, তোমালোকে প্ৰভুৰ পথ প্ৰস্তুত কৰা৷ তেওঁৰ বাট
পোন কৰা।" ৪ যোহনে উটৰ নোমেৰে তৈয়াৰী কাপোৰ পিন্ধিছিল,
কঁকালত চামৰাৰ টঙালি বান্ধিছিল। কচুৱা ফৰিং আৰু হাবিৰ মৌ
তেওঁৰ আহাৰ আছিল। ৫ সেই সময়ত যিৰূচালেম, সমগ্ৰ যিহুদীয়া
আৰু যৰ্দ্দন নদীৰ দাতিকাষৰীয়া অঞ্চলৰ লোক সকল তেওঁৰ ওচৰলৈ
আহিব ধৰিলে। ৬ লোক সকলে যেতিয়া নিজৰ নিজৰ পাপ সমূহ
স্বীকাৰ কৰিলে, তেতিয়া বাপ্তাইজক যোহনে তেওঁলোকক যৰ্দ্দন নদীত
বাপ্তিস্ম দিলে। ৭ যোহনে যেতিয়া দেখিলে যে অনেক ফৰীচী আৰু
চদ্দূকী সকল বাপ্তিস্মৰ কাৰণে তেওঁৰ ওচৰলৈ আহিছে, তেতিয়া তেওঁ

তেওঁলোকক ক'লে, "সৰ্পৰ বংশধৰ সকল! আগলৈ যি ক্ৰোধ হব লগা
আছে, তাৰ পৰা পলাবৰ বাবে আপোনালোকক কোনে চেতনা দিলে?
৮ মন-পালটনৰ উপযুক্ত ফল ধৰি ফলৱান হওক। ৯ আপোনালোকে
নিজৰ মনতে আমাৰ পুৰ্ব্ব পুৰুষ অব্ৰাহাম আছে বুলি চিন্তাও নকৰিব;
কিয়নো মই আপোনালোকক কওঁ, ঈশ্বৰে এই শিলবোৰৰ পৰাও
অব্ৰাহামৰ বাবে বংশৰ সন্তান উৎপন্ন কৰিব পাৰে। ১০ গছবোৰৰ
গুৰিত কুঠাৰ লাগি আছে; যি যি গছে ভাল গুটি নধৰে, তাক কাটি
জুইত পেলোৱা হয়। ১১ আপোনালোকে মন-পালটন কৰা বাবে মই
আপোনালোকক পানীত বাপ্তিস্ম দিছোঁ, কিন্তু যি জন আহি আছে, তেওঁ
মোতকৈও শক্তিশালী; মই তেওঁৰ পাদুকা ববলৈকো যোগ্য নহওঁ; তেওঁ
আপোনালোকক পবিত্ৰ আত্মা আৰু জুইত বাপ্তাইজ কৰিব। ১২ তেওঁৰ
কুলা তেওঁৰ হাততে আছে; তেওঁ শস্যৰ মৰণা মৰা চোতাল ভালকৈ
পৰিষ্কাৰ কৰিব আৰু তেওঁ নিজৰ শস্য ভঁৰালত চপাই থব; কিন্তু ঘুলা,
সেই জুইত পুৰি পেলাব, যি জুই কেতিয়াও নুনুমায়।" ১৩ সেই সময়ত
যীচুৱে বাপ্তিস্ম লবলৈ গালীল প্ৰদেশৰ পৰা যৰ্দ্দন নদীৰ পাৰত থকা
বাপ্তাইজক যোহনৰ কাষলৈ আহিল। ১৪ কিন্তু যোহনে তেওঁক বাধা দি
ক'লে, "মইহে আপোনাৰ দ্বাৰা বাপ্তাইজ হোৱা উচিত, এনে স্থলত
আপুনি মোৰ ওচৰলৈ আহিছে?" ১৫ কিন্তু যীচুৱে উত্তৰ দি তেওঁক
কলে, "এতিয়া এনেকৈয়ে হবলৈ দিয়া; কিয়নো সকলো ধাৰ্মিকতা
আমি এইদৰে পূৰ্ণ কৰা উচিত।" তেতিয়া যোহন সন্মত হ'ল। ১৬
যীচুৱে বাপ্তিস্মলৈ পানীৰ পৰা উঠাৰ লগে লগে তেওঁৰ সন্মুখত হঠাৎ
স্বৰ্গ মুকলি হ'ল আৰু ঈশ্বৰৰ আত্মা কপৌৰ দৰে নামি আহি তেওঁৰ
ওপৰত পৰা দেখিলে। ১৭ তেতিয়া এই আকাশ-বাণী হ'ল, "চোৱা,
এওঁ মোৰ প্ৰিয় পুত্ৰ, এওঁত মই পৰম সন্তুষ্ট।"

**8** তাৰ পাছত চয়তানে যেন যীচুক পৰীক্ষা কৰিব পাৰে, সেয়ে পবিত্ৰ
আত্মাই তেওঁক মৰুপ্ৰান্তলৈ লৈ গ'ল। ২ তাত চল্লিশ দিন আৰু চল্লিশ
ৰাতি উপবাসে থকাৰ পাছত যীচুৰ ভোক লাগিল। ৩ তেতিয়া চয়তানে
আহি তেওঁক ক'লে, "আপুনি যদি ঈশ্বৰৰ পুত্ৰ হয়, তেনেহলে এই
শিলবোৰ পিঠা হবলৈ আজ্ঞা দিয়ক।" ৪ তাতে তেওঁ উত্তৰ দি ক'লে,

“শাস্ত্রত লিখা আছে, মানুহ কেৱল পিঠাৰে জীয়াই নাথাকে, কিন্তু
ঈশ্বৰৰ মুখৰ পৰা ওলোৱা প্ৰত্যেকটো বাক্যৰেহে জীয়াই থাকে।” ৫
তেতিয়া চয়তানে তেওঁক পবিত্ৰ নগৰ যিৰূচালেম মন্দিৰৰ কলচীৰ
ওপৰলৈ লৈ গ'ল; ৬ আৰু যীচুক ক'লে, “আপুনি যদি ঈশ্বৰৰ পুত্ৰ হয়,
তেনেহলে নিজকে তললৈ পেলাই দিয়ক; কিয়নো শাস্ত্ৰত এইদৰে
লিখা আছে, তেওঁ নিজৰ দূত সকলক তোমাৰ অৰ্থে আজ্ঞা দিব
আৰু তোমাৰ ভৰি যেন শিলত খুন্দা নাখায়, এই কাৰণে তেওঁলোকে
তোমাক হাতেৰে দাঙি ধৰিব।” ৭ যীচুৱে তাক ক'লে, “তোমাৰ প্ৰভু
পৰমেশ্বৰক পৰীক্ষা নকৰিবা, এই বুলিও শাস্ত্ৰত লিখা আছে।” ৮
তাৰ পাছত আকৌ চয়তানে তেওঁক এক অতি ওখ ঠাইলৈ লৈ গ'ল
আৰু জগতৰ সকলো ৰাজ্যৰ সৈতে সেইবোৰৰ ঐশ্বৰ্য দেখুৱালে।
৯ চয়তানে তেওঁক ক'লে, “আপুনি যদি মূৰ দোৱাই মোৰ উপাসনা
কৰে, তেনেহলে এই সকলোকে মই আপোনাক দিম।” ১০ তেতিয়া
যীচুৱে তাক ক'লে, “গুচি যা চয়তান! কিয়নো শাস্ত্ৰত এই বুলিও লিখা
আছে, তোমাৰ প্ৰভু পৰমেশ্বৰক প্ৰণিপাত কৰা আৰু কেৱল তেওঁৰেই
আৰাধনা কৰা।” ১১ তেতিয়া চয়তানে তেওঁক এৰি গুচি গ'ল আৰু
স্বৰ্গৰ দূত সকল আহি যীচুৰ শুশ্ৰূষা কৰিলে। ১২ যীচুৱে যেতিয়া
যোহনক বন্দী কৰি নিয়া বুলি শুনিলে, তেতিয়া তেওঁ গালীল প্ৰদেশলৈ
গ'ল। ১৩ তেওঁ নাচৰত এৰি জবূলূন আৰু নপ্তালী এলেকাৰ গালীল
সাগৰৰ তীৰত থকা কফৰনাহূমলৈ গৈ, তাত বাস কৰিবলৈ ধৰিলে। ১৪
যিচয়া ভাববাদীৰ দ্বাৰাই এই যি বচন কোৱা হৈছিল তাক পূৰ্ণ কৰিবলৈ
এই সকলো ঘটিল: ১৫ “জবূলূন দেশ আৰু নপ্তালী দেশ, সাগৰৰ
তীৰত, যৰ্দ্দনৰ সিপাৰত অনা-ইহুদী সকলৰ গালীল! ১৬ যি সকল
লোকে অন্ধকাৰত বাস কৰি আছিল তেওঁলোকে মহা-জ্যোতি দেখিবলৈ
পালে। যি সকল লোকে মৃত্যুছাঁয়াৰ দেশত বাস কৰিছিল তেওঁলোকৰ
ওপৰত দীপ্তি প্ৰকাশিত হ'ল।” ১৭ সেই সময়ৰে পৰা যীচুৱে এই বুলি
প্ৰচাৰ কৰিবলৈ ধৰিলে, “তোমালোকে মন-পালটন কৰা; কিয়নো
স্বৰ্গৰাজ্য ওচৰ আহি পালে।” ১৮ পাছত যীচুৱে গালীল সাগৰৰ পাৰত
খোজকাঢ়ি ফুৰোতে দুজন ভাই-ককাই চিমোন, যাক পিতৰো বোলে

আৰু তেওঁৰ ভায়েক আন্দ্ৰিয়ক, সাগৰত জাল পেলোৱা দেখিলে।
কিয়নো তেওঁলোক মাছমৰীয়া আছিল। ১৯ যীচুৱে তেওঁলোকক ক'লে,
"মোক অনুসৰণ কৰি আহা, মই তোমালোকক মানুহ ধৰা জালোৱা
কৰিম।" ২০ তেতিয়াই তেওঁলোকে জাল এৰি তেওঁৰ পাছে পাছে
গ'ল। ২১ তাৰ পৰা আগুৱাই গৈ যীচুৱে যাকোব আৰু যোহন নামৰ
আন দুজন ভাই-ককাইক দেখা পালে। তেওঁলোক চিবদিয়ৰ পুতেক
আছিল। বাপেক চিবদিয়ৰ সৈতে তেওঁলোকে নাৱত বহি নিজৰ নিজৰ
জালবোৰ ঠিক কৰি আছিল। যীচুৱে তেওঁলোকক মাতিলে। ২২
তেতিয়া তেওঁলোকে নিজৰ নাও আৰু বাপেককো এৰি যীচুৰ পাছে
পাছে গ'ল। ২৩ যীচুৱে গালীল প্ৰদেশৰ সকলো ঠাইতে থকা নাম-
ঘৰবোৰত গৈ উপদেশ দিবলৈ ধৰিলে৷ ঈশ্বৰৰ ৰাজ্যৰ শুভবাৰ্তা প্ৰচাৰ
কৰিলে; অাৰু লোক সকলৰ মাজৰ পৰা নানা ধৰণৰ ৰোগ-ব্যাধিত
থকা লোকক সুস্থ কৰিলে। ২৪ সমগ্ৰ চিৰিয়া দেশতে তেওঁৰ খ্যাতি
বিয়পি পৰিল আৰু লোক সকলে নানা ধৰণৰ বেমাৰ আৰু যন্ত্ৰণাত
আক্ৰান্ত লোক, ভূতে পোৱা লোক, মৃগী ৰোগী আৰু পক্ষাঘাতগ্ৰস্ত
আদি নানা ধৰণৰ ৰোগী সকলক তেওঁৰ ওচৰলৈ লৈ আহিল। যীচুৱে
তেওঁলোকক সুস্থ কৰিলে। ২৫ তাতে গালীল, দিকাপলি, যিৰূচালেম,
আৰু যিহুদীয়া লগতে যৰ্দ্দনৰ সিপাৰৰ পৰাও বহু মানুহ দল বান্ধি যীচুৰ
পাছে পাছে আহিল।

৫ তেতিয়া যীচুৱে বহু লোকৰ ভিৰ দেখা পাই পাহাৰৰ ওপৰলৈ গ'ল
আৰু তেওঁ তাত বহিল। তেতিয়া তেওঁৰ শিষ্য সকল তেওঁৰ ওচৰলৈ
আহিল। ২ তেওঁ মাত লগাই তেওঁলোকক এই বুলি উপদেশ দিবলৈ
ধৰিলে, ৩ আত্মাত দৰিদ্ৰ সকল ধন্য; কিয়নো স্বৰ্গৰাজ্য তেওঁলোকৰ।
৪ শোক কৰা সকল ধন্য; কিয়নো তেওঁলোকে সান্ত্বনা পাব। ৫
নম্ৰ সকল ধন্য; কিয়নো তেওঁলোকে দেশ খন অধিকাৰ কৰিব। ৬
ধাৰ্মিকতালৈ ভোক আৰু পিয়াহ লগা সকল ধন্য; কিয়নো তেওঁলোক
তৃপ্ত হব। ৭ দয়ালু সকল ধন্য; কিয়নো তেওঁলোকে দয়া পাব। ৮
নিৰ্মল চিত্তৰ লোক সকল ধন্য; কিয়নো তেওঁলোকে ঈশ্বৰৰ দৰ্শন
পাব। ৯ মিলনকাৰী সকল ধন্য; কিয়নো তেওঁলোক ঈশ্বৰৰ সন্তান

বুলি প্ৰখ্যাত হব। ১০ ধাৰ্মিকতাৰ কাৰণে তাড়না পোৱা সকল ধন্য;
কিয়নো স্বৰ্গৰাজ্য তেওঁলোকৰ। ১১ যেতিয়া লোক সকলে মোৰ কাৰণে
তোমালোকক নিন্দা আৰু তাড়না কৰিব, আৰু তোমালোকৰ অহিতে
মিছাকৈ সকলো প্ৰকাৰৰ কু-কথা কব, তেতিয়া তোমালোক ধন্য।
১২ আনন্দ কৰা আৰু উল্লাসিত হোৱা; কিয়নো স্বৰ্গত তোমালোকৰ
পুৰস্কাৰ অধিক আছে। কাৰণ তোমালোকৰ পূৰ্বতে যি ভাববাদী সকল
আছিল, তেওঁলোককো লোক সকলে সেইদৰে তাড়না কৰিছিল। ১৩
তোমালোক পৃথিৱীৰ লোণ; কিন্তু লোণৰ সোৱাদ যদি হেৰাই যায়,
তেনেহলে সেই লোণ কিহেৰে লুণীয়া কৰা যাব? তেতিয়া সেইবোৰ
পুণৰ কোনো কামৰ নহব, কেৱল বাহিৰলৈ পেলোৱাৰ আৰু মানুহৰ
গচকাৰ যোগ্যহে হ’ব। ১৪ তোমালোক জগতৰ পোহৰ। পৰ্বতৰ ওপৰত
থকা নগৰ গুপ্ত হ’ব নোৱাৰে। ১৫ মানুহে চাকি লগাই পাত্ৰৰে ঢাকি
নথয়, কিন্তু গছাৰ ওপৰত থয় আৰু ই ঘৰৰ সকলোকে পোহৰ দিয়ে।
১৬ এইদৰে তোমালোকৰ পোহৰ মানুহৰ আগত প্ৰকাশিত হওক; তাতে
তেওঁলোকে তোমালোকৰ ভাল কৰ্ম দেখি, স্বৰ্গত থকা তোমালোকৰ
পিতৃৰ স্তুতি কৰিব। ১৭ নাভাবিবা যে মই বিধানবা ভাববাদী সকলৰ
বাক্য বিনষ্ট কৰিবলৈ আহিছোঁ, কিন্তু সিদ্ধকৰিবলৈহে আহিলোঁ। ১৮
কিয়নো মই তোমালোকক স্বৰূপকৈ কওঁ, স্বৰ্গ আৰু পৃথিৱী লুপ্ত নহয়
মানে আৰু সকলো সিদ্ধ নোহোৱালৈকে, বিধানৰ এটি ইকাৰ বা
এক বিন্দুও কোনোৰূপে লুপ্ত নহব। ১৯ এই হেতুকে যি কোনোৱে
এই আজ্ঞাবোৰৰ মাজৰ সৰু এটিও উলঙ্ঘন কৰে আৰু আন লোকক
সেইদৰে কৰিবলৈ শিকায়, তেওঁ স্বৰ্গৰাজ্যত সকলোতকৈ সৰু বুলি গণ্য
হব; কিন্তু যি কোনোৱে সেইবোৰ পালন কৰে আৰু সেইদৰে শিকায়,
তেওঁ স্বৰ্গৰাজ্যত মহান বুলি গণ্য হ’ব। ২০ কিয়নো মই তোমালোকক
কওঁ, তোমালোকৰ ধাৰ্মিকতা, ধৰ্মীয় অধ্যাপক আৰু ফৰীচী সকলতকৈ
অধিক নহলে তোমালোকে কোনো প্ৰকাৰে স্বৰ্গৰাজ্যত প্ৰৱেশ কৰিব
নোৱাৰিবা। ২১ তোমালোকে শুনিছা, পূৰ্বকালৰ লোক সকলৰ আগত
ইয়াকে কোৱা হৈছিল যে তুমি নৰ-বধ নকৰিবাআৰু যি কোনোৱে নৰ-
বধ কৰে, সি সোধ-বিচাৰত দণ্ডৰ পাত্ৰ হব। ২২ কিন্তু মই তোমালোকক

কওঁ, যি কোনোৱে তেওঁৰ ভায়েকৰওপৰত খং কৰে, তেওঁ সোধ-
বিচাৰত দণ্ডৰ পাত্ৰ হ'ব আৰু যি কোনোৱে তেওঁৰ ভায়েকক 'তুমি
অপদাৰ্থ' এইদৰে কয়, তেওঁ মহাসভাত দণ্ডৰ পাত্ৰ হ'ব আৰু যি
কোনোৱে নিজ ভাইক 'তুমি অবাধ্য' বুলি কয়, তেওঁ অগ্নিময় নৰকৰ
দণ্ডৰ পাত্ৰ হ'ব। **(Geenna g1067)** ২৩ এই হেতুকে বেদিত তোমাৰ
নৈবেদ্য উৎসৰ্গ কৰোঁতে, তোমাৰ বিৰুদ্ধে তোমাৰ ভায়েৰাৰ কোনো
কথা আছে বুলি যদি তোমাৰ মনত পৰে, ২৪ তেনেহলে তুমি বেদিৰ
আগত তোমাৰ নৈবেদ্য ৰাখি থৈ প্ৰথমে তোমাৰ ভায়েৰাৰ সৈতে মিলন
হোৱা আৰু তাৰ পাছত পুণৰ আহি নৈবেদ্য উৎসৰ্গ কৰা। ২৫ তোমাৰ
গুচৰিয়াৰ সৈতে তুমি আদালতৰ চোতাললৈ গৈ থাকোতেই বেগাই
মিলন হোৱা; অন্যথা জানোছা তোমাৰ গুচৰিয়াই তোমাক বিচাৰকৰ
হাতত শোধাই দিয়ে; বিচাৰকেও তোমাক টেকেলাৰ হাতত শোধাই
দিয়ে আৰু তেতিয়া তোমাক কাৰাগাৰত ভৰাই থোৱা হব। ২৬ মই
তোমালোকক স্বৰূপকৈ কওঁ, যেতিয়ালৈকে দিবলগীয়া ধনৰ শেষ
পইচাটি পৰ্যন্ত আদায় নিদিয়া, তেতিয়ালৈকে তোমালোকে তাৰ পৰা
কোনোমতে ওলাব নোৱাৰিবা। ২৭ "তোমালোকে এই বুলি কোৱা
শুনিছা, 'ব্যভিচাৰ নকৰিবা'। ২৮ কিন্তু মই তোমালোকক কওঁ, যি
কোনোৱে মহিলাৰ ফালে কাম ভাৱে চায়, সি তেতিয়াই মনতে তাইৰে
সৈতে ব্যভিচাৰ কৰিলে। ২৯ যদি তোমাৰ সোঁ চকুৱে তোমাৰ বিঘিনি
জন্মায়, তেনেহলে তাক কাঢ়ি তোমাৰ পৰা উলিয়াই পেলাই দিয়া;
কিয়নো তোমাৰ গোটেই শৰীৰ নৰকত পেলোৱা হোৱাতকৈ, এটা অঙ্গ
নষ্ট হোৱাই তোমাৰ পক্ষে ভাল। **(Geenna g1067)** ৩০ যদি তোমাৰ সোঁ
হাতে তোমাৰ বিঘিনি জন্মায়, তেনেহলে তাকো কাটি তোমাৰ পৰা
পেলাই দিয়া; কিয়নো তোমাৰ গোটেই শৰীৰ নৰকলৈ যোৱাতকৈ
এটা অঙ্গ নষ্ট হোৱাই তোমাৰ ভাল।" **(Geenna g1067)** ৩১ এইদৰেও
কোৱা হৈছিল, 'যি কোনোৱে নিজৰ ভাৰ্যাক ত্যাগ কৰে, তেনেহলে
তেওঁ ভাৰ্যাক ত্যাগ-পত্ৰ দিয়ক।' ৩২ কিন্তু মই তোমালোকক কওঁ যে,
একমাত্ৰ ব্যভিচাৰৰ দোষত বাহিৰে কোনোৱে যদি আন কাৰণত নিজৰ
ভাৰ্যাক ত্যাগ কৰে, তেনেহলে তেওঁ তেওঁক ব্যভিচাৰিণী কৰায় আৰু যি

কোনোৱে সেই ত্যাগ কৰা মহিলাক বিয়া কৰাই তেৰোঁ ব্যভিচাৰ কৰে।
৩৩ পুনৰায় তোমালোকে শুনিছা, পূৰ্বকালত এই কথা কোৱা হৈছিল যে
'তুমি মিছা শপত নাখাবা, বৰং প্ৰভুৰ উদ্দেশ্যে কৰা তোমাৰ শপত
পালন কৰিবা'। ৩৪ কিন্তু মই কওঁ, তোমালোকে কোনো শপতেই
নাখাবা; স্বৰ্গৰ নামত শপত নাখাবা, কাৰণ সেয়ে ঈশ্বৰৰ সিংহাসন,
৩৫ আৰু পৃথিৱীৰ নামতো শপত নাখাবা, কিয়নো সেয়ে তেওঁৰ ভৰি-
পীৰা; যিৰূচালেমৰ নামেৰেও নহয়, কিয়নো সেয়া মহান ৰজাৰ নগৰ৷
৩৬ এনে কি নিজৰ মূৰত ধৰিও শপত নাখাবা, কিয়নো এডাল চুলিকো
তোমালোকে বগা বা ক'লা কৰিব নোৱাৰা। ৩৭ কিন্তু তোমালোকৰ
কথা 'হয়' যদি হয় বা 'নহয়' যদি নহয় হওক। ইয়াতকৈ অধিক যি,
সেয়া চয়তানৰ পৰাহে হয়। ৩৮ তোমালোকে 'চকুৰ সলনি চকু,
দাঁতৰ সলনি দাঁত' এই যি কথা কোৱা হৈছিল, সেই বিষয়ে শুনিছা।
৩৯ কিন্তু মই তোমালোকক কওঁ, তোমালোকে দুষ্ট লোক সকলৰ
প্ৰতিৰোধ নকৰিবা; বৰং কোনোৱে যদি তোমাৰ সোঁ গালত চৰ মাৰে,
তেনেহলে তেওঁলৈ আন খন গালো পাতি দিবা। ৪০ কোনোৱে যদি
আদালতত তোমাৰ ওপৰত গোচৰ তৰি তোমাৰ চোলা ল'ব খোজে,
তেনেহলে তেওঁক তোমাৰ চাদৰখনো এৰি দিবা। ৪১ যি কোনোৱে
তোমাক এমাইল বাট বলেৰে নিয়ে, তেওঁৰ লগত দুমাইল যাবা। ৪২
যি জনে তোমাক খোজে, সেই জনক দিবা আৰু কোনোৱে তোমাৰ
পৰা ধাৰ বিচাৰিলে, তেওঁক বিমুখ নকৰিবা। ৪৩ তোমালোকে কোৱা
শুনিছা, 'তোমাৰ চুবুৰীয়াক প্ৰেম কৰিবা আৰু শত্ৰুক ঘিণ কৰিবা'। ৪৪
কিন্তু মই তোমালোকক কওঁ, তোমালোকৰ শত্ৰুক প্ৰেম কৰিবা আৰু
তোমালোকক তাড়না কৰা সকলৰ বাবে প্ৰাৰ্থনা কৰিবা, ৪৫ তেতিয়াহে
তোমালোক স্বৰ্গত থকা পিতৃৰ সন্তান হ'ব পাৰিবা। কিয়নো তেওঁ দুষ্ট
আৰু সৎ দুয়োৰো ওপৰত সূৰ্য উদয় হ'বলৈ দিয়ে আৰু ধাৰ্মিক অথবা
অধাৰ্মিক এই দুয়োৰো ওপৰত বৰষুণ বৰষায়। ৪৬ কিয়নো যি মানুহে
তোমালোকক প্ৰেম কৰে, তোমালোকে যদি কেৱল তেওঁলোকক
প্ৰেম কৰা, তেনেহলে কি পুৰস্কাৰ পাবা? কৰ সংগ্ৰহকাৰী সকলেও
জানো তাকে নকৰে? ৪৭ তোমালোকে যদি কেৱল তোমালোকৰ

ভাই সকলকে শুভেচ্ছা জনোৱা, তেনেহলে আনতকৈ অধিক বেচি কি
কৰিলা? অনা-ইহুদী সকলেও জানো তাকে নকৰে? ৪৮ এই হেতুকে
তোমালোকৰ স্বৰ্গীয় পিতৃ যেনে সিদ্ধ, তোমালোকো তেনে সিদ্ধ হোৱা।
৬ সাৱধান! মানুহক দেখুৱাবলৈ তেওঁলোকৰ আগত তোমালোকে
নিজ নিজ ধাৰ্মিকতাৰ কৰ্ম নকৰিবা; তেনেকুৱা কৰিলে তোমালোকৰ
স্বৰ্গত থকা পিতৃৰ ওচৰৰ পৰা তোমালোকে একো পুৰস্কাৰ নাপাবা। ২
এই হেতুকে, তুমি যেতিয়া দান কৰা, তেতিয়া মানুহৰ পৰা প্ৰশংসা
পাবলৈ কপটীয়া সকলৰ নিচিনাকৈ নকৰিবা। তেওঁলোকে নাম-ঘৰে,
নাম-ঘৰে আৰু বাটে-পথে নিজৰ আগে আগে ঢাক-ঢোল কোবাই দান
দিয়ে। মই তোমালোকক স্বৰূপকৈ কওঁ, তেওঁলোকে নিজৰ নিজৰ
পুৰস্কাৰ পালেই। ৩ কিন্তু তোমালোকে যেতিয়া দান দিবা, তেতিয়া
তোমালোকৰ সোঁ হাতে কি কৰে বাঁও হাতক সেই বিষয়ে জানিবলৈ
নিদিবা; ৪ কিয়নো তেতিয়াহে তোমালোকৰ দান গোপন হ'ব আৰু
গুপুতে দেখা তোমালোকৰ পিতৃয়ে তোমালোকক প্ৰতিদান দিব। ৫
তোমালোকে যেতিয়া প্ৰাৰ্থনা কৰা, তেতিয়া কপটীয়া সকলৰ দৰে
নহবা; কিয়নো মানুহক দেখুৱাবৰ কাৰণে তেওঁলোকে নাম-ঘৰে, নাম-
ঘৰে আৰু আলিবাটৰ চুকে চুকে থিয় হৈ প্ৰাৰ্থনা কৰিবলৈ ভালপায়।
মই তোমালোকক স্বৰূপকৈ কওঁ, তেওঁলোকে নিজ নিজ পুৰস্কাৰ
পালেই। ৬ কিন্তু তোমালোকে যেতিয়া প্ৰাৰ্থনা কৰা, তেতিয়া ভিতৰ-
কোঠালীলৈ গৈ দুৱাৰ বন্ধ কৰিবা আৰু যি জনক দেখা পোৱা নাযায়,
তোমালোকৰ সেই পিতৃৰ আগত প্ৰাৰ্থনা কৰিবা; তাতে গুপুতে দেখা
তোমালোকৰ পিতৃয়ে তোমালোকক প্ৰতিদান দিব। ৭ প্ৰাৰ্থনা কৰা
সময়ত অনা-ইহুদী সকলৰ নিচিনাকৈ তোমালোকে অনৰ্থক পুণৰুক্তি
নকৰিবা; কিয়নো তেওঁলোকে ভাৱে, তেওঁলোকৰ বেচি কথাৰ কাৰণে
তেওঁলোকৰ প্ৰাৰ্থনা তেওঁ শুনিব। ৮ এতেকে তোমালোক তেওঁলোকৰ
নিচিনা নহবা; কিয়নো তোমালোকৰ কি কি প্ৰয়োজন আছে, সেই
বিষয়ে তোমালোকে পিতৃৰ পৰা খোজাৰ আগেয়ে, তোমালোকৰ
পিতৃয়ে জানে। ৯ এই হেতুকে তোমালোকে এইদৰে প্ৰাৰ্থনা কৰিবা;
'হে আমাৰ স্বৰ্গত থকা পিতৃ, তোমাৰ নাম পূজনীয় হওক; ১০ তোমাৰ

ৰাজ্য হওক; যেনেকৈ স্বৰ্গত, তেনেকৈ পৃথিৱীতো তোমাৰ ইচ্ছা পূৰ
হওক। ১১ আমাৰ প্ৰয়োজনীয় আহাৰ আজি আমাক দিয়া। ১২ আমাৰ
ধৰুৱাহঁতক আমি যেনেকৈ ক্ষমা কৰিলোঁ, তেনেকৈ আমাৰো ধাৰ ক্ষমা
কৰা। ১৩ আমাক পৰীক্ষালৈ নিনিবা, কিন্তু পাপ আত্মাৰ পৰা আমাক
ধৰি ৰাখা।' ১৪ কিয়নো তোমালোকে যদি আন লোকৰ অপৰাধ ক্ষমা
কৰা, তেনেহলে তোমালোকৰ স্বৰ্গীয় পিতৃয়ে তোমালোকৰো অপৰাধ
ক্ষমা কৰিব; ১৫ কিন্তু তোমালোকে যদি আন লোকৰ অপৰাধ ক্ষমা
নকৰা, তেনেহলে তোমালোকৰ পিতৃয়ে তোমালোকৰো অপৰাধ ক্ষমা
নকৰিব। ১৬ যেতিয়া তোমালোকে লঘোন দিয়া, তেতিয়া কপটীয়া
সকলৰ নিচিনাকৈ মুখ মলিন নকৰিবা; কিয়নো তেওঁলোকে লঘোনীয়া
বুলি মানুহক দেখুৱাবলৈ মুখ বিবৰ্ণ কৰে। মই তোমালোকক স্বৰূপকৈ
কওঁ, তেওঁলোকে নিজ নিজ পুৰস্কাৰ পালেই। ১৭ কিন্তু তোমালোকে
যেতিয়া লঘোন দিয়া, তেতিয়া তোমাৰ মূৰত তেল সানিবা আৰু মুখ ধুই
ল'বা; ১৮ যাতে আনে জানিব নোৱাৰে যে, তোমালোকে লঘোন দিছা।
কিন্তু তোমালোকৰ পিতৃ, যি জনক তোমালোকে দেখা নোপোৱা,
কেৱল তেৱেঁই ইয়াক দেখা পাব। তাতে গুপুতে দেখা তোমালোকৰ
পিতৃয়ে তোমালোকক পুৰস্কাৰ দিব। ১৯ যি ঠাইত পোক আৰু মামৰে
ক্ষয় কৰে, চোৰেও সিন্ধি দি চুৰ কৰে, এনে পৃথিৱীত নিজলৈ ধন
নাসাঁচিবা; ২০ কিন্তু য'ত পোক আৰু মামৰে ক্ষয় নকৰে, চোৰেও
সিন্ধি দিব নোৱাৰে, এনে স্বৰ্গত নিজৰ বাবে ধন সাঁচা। ২১ কিয়নো
য'তে তোমালোকৰ ধন থাকিব, ত'তে তোমালোকৰ মনো হ'ব। ২২
চকুৱেই শৰীৰৰ প্ৰদীপ; এই হেতুকে তোমালোকৰ চকু যদি ভালে
থাকে, তেনেহলে তোমালোকৰ গোটেই শৰীৰ দীপ্তিময় হ'ব; ২৩ কিন্তু
তোমালোকৰ চকু যদি বেয়া হয়, তেনেহলে তোমালোকৰ গোটেই
শৰীৰ অন্ধকাৰময় হ'ব। এতেকে তোমালোকৰ তাত থকা পোহৰ
যদি আচলতে অন্ধকাৰময় হয়, তেনেহলে সেই আন্ধাৰ কিমান গভীৰ
হব! ২৪ কোনেও দুজন গৰাকীৰ ওচৰত সেৱাকৰ্ম কৰিব নোৱাৰে;
কিয়নো তেওঁ এজনক ঘিণ কৰি আন জনক প্ৰেম কৰিব; নাইবা
এজনত আসক্ত হৈ, আন জনক হেয়জ্ঞান কৰিব৷ তোমালোকে ঈশ্বৰ

আৰু ধন, এই উভয়তে কৰ্ম কৰিব নোৱাৰা। ২৫ এই হেতুকে মই
তোমালোকক কওঁ, ‘কি ভোজন কৰিম বা কি পান কৰিম’- এই বুলি
প্ৰাণৰ কাৰণে, নাইবা ‘কি পিন্ধিম’- এই বুলি শৰীৰৰ কাৰণে চিন্তা
নকৰিবা। আহাৰতকৈ প্ৰাণ, আৰু কাপোৰতকৈ শৰীৰ শ্ৰেষ্ঠ নহয় নে?
২৬ আকাশৰ চৰাইবোৰলৈ চোৱা; সেইবোৰে নবয়, নাদায়, আৰু
ভঁৰালত নচপায়; তথাপি তোমালোকৰ স্বৰ্গীয় পিতৃয়ে সেইবোৰকো
আহাৰ দিয়ে। তোমালোক সেইবোৰতকৈ অধিক মূল্যৱান নোহোৱা
নে? ২৭ আৰু তোমালোকৰ মাজৰ কোনে চিন্তা কৰি নিজৰ আয়ুস
এহাতকে বঢ়াব পাৰে? ২৮ বস্ত্ৰৰ বাবেও কিয় চিন্তা কৰা? পথাৰৰ
লিলিফুলবোৰ কেনেকৈ বাঢ়ে, সেই বিষয়ে ভাবি চোৱা; সেইবোৰে
শ্ৰম নকৰে, কাপোৰো নবয়; ২৯ তথাপি মই তোমালোকক কওঁ,
চলোমন ৰজা ইমান ঐশ্বৰ্যৰ মাজত থাকিও এইবোৰৰ এটাৰো নিচিনা
নিজক বিভূষিত কৰিব পৰা নাছিল। ৩০ এতেকে, পথাৰৰ যি বন
আজি আছে, কাইলৈ জুইশালত পেলোৱা হ’ব, সেই বনকো যদি
ঈশ্বৰে এনেকৈ ভূষিত কৰে, তেনেহলে হে অল্পবিশ্বাসী সকল, তেওঁ
তাতকৈ তোমালোকক অধিক ভূষিত নকৰিব নে? ৩১ এই হেতুকে
কি খাম? কি পান কৰিম? বা কি পিন্ধিম? এই বুলি চিন্তা নকৰিবা।
৩২ কিয়নো অনা-ইহুদী সকলেও এইবোৰ বিচাৰে আৰু এইবোৰ যে
তোমালোকৰো প্ৰয়োজন, এই বিষয়ে তোমালোকৰ স্বৰ্গীয় পিতৃয়ে
জানে। ৩৩ কিন্তু তোমালোকে প্ৰথমে ঈশ্বৰৰ ৰাজ্য আৰু ধাৰ্মিকতা
বিচাৰা; তাতে এই সকলোবোৰ তোমালোকক দিয়া হ’ব। ৩৪ এতেকে
কাইলৈৰ কাৰণে চিন্তা নকৰিবা; কিয়নো কাইলৈয়ে নিজে নিজৰ বাবে
চিন্তা কৰিব। দিনৰ যি কষ্ট, দিনটোলৈ সেয়ে যথেষ্ট।

৭ তোমালোকে অন্য লোকৰ সোধ-বিচাৰ নকৰিবা, তেতিয়াহে
তোমালোকৰো বিচাৰ কৰা নহ’ব। ২ কিয়নো যেনেকুৱা বিচাৰেৰে
তোমালোকে সোধ-বিচাৰ কৰা, তেনেকুৱা বিচাৰেৰে তোমালোকৰো
বিচাৰ কৰা হ’ব, আৰু যি জোখেৰে তোমালোকে জোখা, সেই জোখেৰে
তোমালোককো জোখা হ’ব। ৩ তুমি নিজৰ চকুত থকা চতি ডাললৈ
মন নকৰি, ভায়েৰাৰ চকুত থকা সৰু কুটা ডাললৈ কিয় চাইছা? ৪

তোমাৰ নিজৰ চকুত এডাল চতি লাগি থাকোতেই, তোমাৰ ভাইক "আহা, তোমাৰ চকুৰ পৰা কুটা ডাল উলিয়াবলৈ দিয়া" এই কথা কেনেকৈ কব পাৰা? ৫ হে কপটীয়া, প্ৰথমতে নিজৰ চকুৰ পৰা সেই চতি ডাল উলিয়াই পেলোৱা, তেতিয়াহে তোমাৰ ভাইৰ চকুৰ পৰা কুটা ডাল উলিয়াবলৈ ভালকৈ দেখিবা। ৬ কোনো পবিত্ৰ বস্তু কুকুৰবোৰক নিদিবা আৰু গাহৰিৰ আগত তোমালোকৰ মুকুতা নেপেলাবা; হয়তো সিহঁতে সেইবোৰ ভৰিৰ তলত লৈ গচকি নষ্ট কৰিব আৰু তোমাৰ ফালে ঘূৰি আহি তোমাকো টুকুৰা-টুকুৰ কৰি ছিৰি পেলাব। ৭ খোজা, তেতিয়াহে তোমালোকক দিয়া হ'ব; বিচাৰা, তেতিয়াহে পাবা; টুকুৰিওৱা, তেতিয়াহে তোমালোকলৈ দুৱাৰ মুকলি কৰা হ'ব। ৮ কিয়নো যি জনে খোজে, সেই জনে পায়; যি জনে বিচাৰে, সেই জনে দেখা পায় আৰু যি জনে টুকুৰিয়ায়, সেই জনলৈকে দুৱাৰ মুকলি কৰা হয়। ৯ তোমালোকৰ মাজত এনে কোনো মানুহ আছে নেকি যে, তেওঁৰ ল'ৰাই পিঠা খুজিলে তাক শিল দিব? ১০ নাইবা মাছ খুজিলে সাপ দিব? ১১ তোমালোক দুষ্ট হৈয়ো যদি নিজৰ সন্তানক উত্তম বস্তু দিব জানা, তেনেহলে তোমালোকৰ স্বৰ্গত থকা পিতৃৰ ওচৰত যি সকলে বিচাৰে, সেই লোক সকলক জানো তেওঁ অধিকৰূপে ভাল বস্তু নিদিব? ১২ এতেকে, লোকে তোমালোকক যেনে ব্যৱহাৰ কৰিলে তোমালোকে ভাল পোৱা, তোমালোকেও তেওঁলোকক তেনেদৰে ব্যৱহাৰ কৰিবা; কিয়নো এয়ে বিধান আৰু ভাববাদী সকলৰ শিক্ষাৰ সাৰ। ১৩ ঠেক দুৱাৰেদি সোমোৱা; কিয়নো যিয়ে সৰ্ব্বনাশলৈ নিয়ে, সেই দুৱাৰ ডাঙৰ আৰু বাটো বহল। তাৰ মাজেদি সোমোৱা লোকো অনেক। ১৪ কিন্তু যিয়ে জীৱনলৈ নিয়ে, সেই দুৱাৰ সৰু আৰু বাটো ঠেক। অতি কম লোকেহে ইয়াক বিচাৰি পায়। ১৫ ভুৱা ভাৱবাদী সকলৰ বিষয়ে সাৱধান হোৱা। সিহঁতে তোমালোকৰ ওচৰলৈ মেৰৰ বেশ লৈ আহে, অথচ ভিতৰি সিহঁত হিংস্ৰ ৰাংকুকুৰ। ১৬ সিহঁতৰ জীৱনৰ ফলৰ দ্বাৰাই তোমালোকে সিহঁতক চিনি পাবা। মানুহে জানো কাঁইটীয়া জোপোহাৰ মাজৰ পৰা আঙুৰ ফল বা কাঁইট গছৰ পৰা ডিমৰু ফল পাব পাৰে? ১৭ ঠিক তেনেদৰে প্ৰত্যেক ভাল গছত ভাল

ফল ধৰে আৰু বেয়া গছত বেয়া ফল ধৰে। ১৮ ভাল গছত বেয়া ফল
আৰু বেয়া গছত ভাল ফল ধৰিব নোৱাৰে। ১৯ যি গছত ভাল ফল
নধৰে, সেই গছ কাটি জুইত পেলোৱা হয়। ২০ এতেকে সিহঁতৰ ফলৰ
দ্বাৰাই তোমালোকে সিহঁতক চিনি পাবা। ২১ যি সকলে মোক ‘প্ৰভু
প্ৰভু’ বোলে, তেওঁলোক সকলোৱে যে স্বৰ্গৰাজ্যত সোমাব, এনে নহয়;
কিন্তু যি জনে স্বৰ্গত থকা মোৰ পিতৃৰ ইচ্ছা পালন কৰে, সেইজনেহে
সোমাব। ২২ সেইদিনা বহুলোকে মোক ক’ব, ‘হে প্ৰভু, হে প্ৰভু’ আমি
আপোনাৰ নামেৰে ভাবোক্তি প্ৰচাৰ কৰা নাই নে? আপোনাৰ নামেৰে
ভূত খেদোৱা নাই নে? আপোনাৰ নামেৰে অনেক পৰাক্ৰম কাৰ্য
কৰা নাই নে? ২৩ তেতিয়া মই সিহঁতক স্পষ্টকৈ ক’ম, ‘মই তহঁতক
কেতিয়াও চিনি নাপাও, দুৰাচাৰীবোৰ। মোৰ ওচৰৰ পৰা দূৰ হ’। ২৪
সেই কাৰণে কওঁ, যি কোনোৱে মোৰ এই সকলো কথা শুনি পালন
কৰে, তেওঁ এনেকুৱা এজন বুদ্ধিমান লোকৰ নিচিনা যি জনে শিলৰ
ওপৰত তেওঁৰ ঘৰ সাজিলে। ২৫ পাছত বৰষুণ পৰিল, ধল আহিল
আৰু প্ৰচণ্ড বতাহ বলাত সেই ঘৰত আহি খুন্দা লাগিল; কিন্তু সেই
ঘৰটো নপৰিল, কাৰণ ইয়াক শিলৰ ওপৰত নিৰ্মাণ কৰা হৈছিল।
২৬ পুনৰ যি কোনোৱে মোৰ এই সকলো কথা শুনি পালন নকৰে,
তেওঁ এনেকুৱা এজন মূৰ্খ লোকৰ নিচিনা, যি জনে বালিৰ ওপৰত
তেওঁৰ ঘৰ সাজিছিল। ২৭ পাছত বৰষুণ পৰিল, ধল আহিল আৰু প্ৰচণ্ড
বতাহ বলাত সেই ঘৰতো আহি খুন্দা লাগিল; তাতে সেই ঘৰটো পৰি
গ’ল আৰু সম্পূৰ্ণকৈ ঘৰটোৰ পতন হ’ল। ২৮ যীচুৱে যেতিয়া কথা
কৈ শেষ কৰিলে, তেতিয়া লোক সকলে তেওঁৰ শিক্ষাত বিস্মিত হৈ
গ’ল; ২৯ কিয়নো তেওঁ তেওঁলোকৰ বিধানৰ অধ্যাপক সকলৰ দৰে
উপদেশ দিয়া নাছিল, বৰঞ্চ এজন অধিকাৰ থকা লোকৰ নিচিনাকৈ
তেওঁলোকক উপদেশ দিছিল।

৮ যীচু যেতিয়া পৰ্বতৰ পৰা নামি আহিল, তেতিয়া মানুহৰ বৃহৎ দল
এটাও তেওঁৰ পাছে পাছে আহিবলৈ ধৰিলে। ২ সেই সময়ত এজন
কুষ্ঠ ৰোগী তেওঁৰ ওচৰলৈ আহি প্ৰণিপাত কৰি তেওঁক ক’লে, “হে
প্ৰভু, আপুনি যদি ইচ্ছা কৰে, তেনেহলে মোক শুচি কৰিব পাৰে।” ৩

যীচুৱে হাত খন আগবঢ়াই তেওঁক চুই ক’লে, “মই ইচ্ছা কৰিছোঁ;
তুমি শুচি হোৱা।” লগে লগে মানুহ জনৰ কুষ্ঠৰোগ ভাল হৈ গ’ল। ৪
তেতিয়া যীচুৱে মানুহ জনক ক’লে, ‘সাৱধান, তুমি এই কথা কাকো
নকবা; বৰং যোৱা, পুৰোহিতৰ আগত গৈ নিজকে দেখুওৱা আৰু
মোচিৰ আদেশ অনুসাৰে নৈবেদ্য উৎসৰ্গ কৰা। তেতিয়া লোক সকলৰ
আগত তুমি সাক্ষ্য হবা যে, তুমি সুস্থ হ’লা।’ ৫ ইয়াৰ পাছত যীচু
কফৰনাহূম নগৰলৈ গ’ল। তাত এজন এশৰ সেনাপতিয়ে তেওঁৰ
ওচৰলৈ আহি বিনয় কৰি ক’লে, ৬ “হে প্ৰভু, মোৰ এজন দাস ঘৰত
বিচনাত পৰি আছে। সি পক্ষাঘাত ৰোগত অতিশয় যাতনা পাই আছে।”
৭ যীচুৱে তেওঁক ক’লে, “মই আহিম আৰু তেওঁক সুস্থ কৰিম।” ৮ সেই
সেনাপতিয়ে উত্তৰ দি ক’লে, “হে প্ৰভু, মই এনে যোগ্য নহওঁ যে আপুনি
মোৰ ঘৰত সোমাব; কিন্তু মুখেৰে মাথোন কৈ দিয়ক, তাতে মোৰ দাস
সুস্থ হ’ব। ৯ মই নিজেও আনৰ অধিকাৰৰ অধীন আৰু মোৰ অধীনতো
সৈন্য সকল আছে। মই এজনক ‘যা’ বুলিলে, সি যায়; আন জনক ‘আহ’
বুলিলে, সি ‘আহে’ আৰু মোৰ দাসক ‘এইটো কৰ’ বুলিলে সি সেই কাম
কৰে।” ১০ যীচুৱে এই কথা শুনি বিস্মিত হ’ল আৰু যি সকল লোক
তেওঁৰ পাছে পাছে গৈ আছিল, সেই লোক সকলক উদ্দেশ্য কৰি তেওঁ
ক’লে, “মই আপোনালোকক সঁচাকৈয়ে কৈছোঁ, ইস্ৰায়েলত ইমান বেচি
বিশ্বাস মই কাৰো মাজত দেখা পোৱা নাই। ১১ মই আপোনালোকক
কওঁ, পূব আৰু পশ্চিম সকলো দিশৰ পৰা অনেক আহিব আৰু অব্ৰাহাম,
ইচহাক আৰু যাকোবৰ লগত স্বৰ্গৰাজ্যত ভোজন কৰিবলৈ বহিব; ১২
কিন্তু যি সকল এই ৰাজ্যৰ সন্তান, তেওঁলোকক বাহিৰৰ আন্ধাৰত
পেলোৱা হ’ব। তাতে লোক সকলে ক্ৰন্দন কৰিব আৰু যন্ত্ৰণাত দাঁত
কৰচিব।” ১৩ তাৰ পাছত যীচুৱে সেই এশৰ সেনাপতিক ক’লে, “তুমি
যোৱা; তুমি যি দৰে বিশ্বাস কৰিলা, সেইদৰেই হওক।” সেই সময়তেই
তেওঁৰ দাস জন সুস্থ হ’ল। ১৪ পাছত যীচু পিতৰৰ ঘৰত সোমাল আৰু
তাতে পিতৰৰ শাহুৱেকক জ্বৰত পৰি থকা দেখিলে। ১৫ যীচুৱে তেওঁৰ
হাত খন স্পৰ্শ কৰিলে আৰু লগে লগে তেওঁৰ জ্বৰ নাইকিয়া হ’ল।
তেতিয়া তেওঁ বিচনাৰ পৰা উঠি যীচুৰ সেৱা শুশ্ৰূষা কৰিবলৈ ধৰিলে।

১৬ সন্ধিয়া হোৱাত লোক সকলে ভূতে পোৱা অনেক মানুহক তেওঁৰ
ওচৰলৈ আনিলে। তেওঁ মুখৰ কথাৰেই সেই ভূতৰ আত্মাবোৰ খেদালে
আৰু যি সকল অসুস্থ আছিল, সেই সকলো ৰোগীকে সুস্থ কৰিলে। ১৭
ইয়াৰ দ্বাৰা যিচয়া ভাববাদীয়ে কোৱা এই বচন পূৰ্ণ হ'ল, "তেৰেঁই
আমাৰ দূৰ্বলতা ল'লে আৰু আমাৰ ৰোগৰ ভাৰ বলে।" ১৮ যীচুৱে
নিজৰ চাৰিওফালে বহু মানুহৰ দল দেখি শিষ্য সকলক গালীল সাগৰৰ
সিপাৰলৈ যাবৰ বাবে আজ্ঞা দিলে। ১৯ সেই সময়ত বিধানৰ অধ্যাপক
এজনে যীচুৰ ওচৰলৈ আহি ক'লে, "হে গুৰু, আপুনি য'লৈকে যাব,
ময়ো আপোনাৰ পাছে পাছে তালৈ যাম।" ২০ যীচুৱে তেওঁক ক'লে,
"শিয়ালৰ গাত আৰু আকাশৰ চৰাইৰো বাহ আছে; কিন্তু মানুহৰ পুত্ৰৰ
নিজৰ মূৰ থবলৈ ঠাই নাই।" ২১ শিষ্য সকলৰ মাজৰ আন এজনে
আহি তেওঁক ক'লে, "হে প্ৰভু, প্ৰথমতে গৈ মোৰ পিতৃক মৈদাম দি
আহিবলৈ অনুমতি দিয়ক।" ২২ যীচুৱে তেওঁক ক'লে, "যি সকল মৃত,
তেওঁলোকেই মৃত সকলক মৈদাম দিয়ক, কিন্তু তুমি মোৰ পাছে পাছে
আহা।" ২৩ তাৰ পাছত যীচু নাৱত উঠিল আৰু তেওঁৰ শিষ্য সকলেও
তেওঁক অনুসৰণ কৰিলে। ২৪ হঠাৎ সাগৰত প্ৰবল ধুমুহা আহিল
আৰু নাও খনৰ ওপৰলৈকে ঢৌৰ লহৰবোৰ ওফন্দি উঠিবলৈ ধৰিলে;
তেতিয়া যীচু টোপনিত আছিল। ২৫ শিষ্য সকলে তেওঁৰ ওচৰলৈ
আহি তেওঁক জগাই ক'লে, "হে প্ৰভু, আমাক বচাওঁক; আমি এতিয়া
মৰিম।" ২৬ তেতিয়া যীচুৱে তেওঁলোকক ক'লে, "অল্পবিশ্বাসীৰ দল!
তোমালোকে কিয় ইমান ভয় খাইছা?" পাছত তেওঁ উঠি, বতাহ আৰু
সাগৰক ডবিয়ালে; তেতিয়া সকলোবোৰ অতি শান্ত হ'ল। ২৭ ইয়াকে
দেখি লোক সকলে বিস্ময় মানিলে আৰু ক'লে, "এওঁ কেনে ধৰণৰ
মানুহ যে বতাহ আৰু সাগৰেও এওঁৰ কথা মানে।" ২৮ যীচু যেতিয়া
সাগৰৰ সিপাৰে থকা গাদাৰীয়া সকলৰ দেশলৈ আহিল, তাতে ভূতে
পোৱা দুজন মানুহ মৈদামনিৰ পৰা বাহিৰলৈ ওলাই আহিল আৰু
তেওঁৰ আগত উপস্থিত হ'ল। সিহঁত ইমানেই ভয়ানক আছিল যে,
কোনোৱে সেই বাটেদি যাব নোৱাৰিছিল। ২৯ সিহঁতে চিঞৰি ক'লে,
"হে ঈশ্বৰৰ পুত্ৰ, আপোনাৰ লগত আমাৰনো কি কাম আছে? নিৰ্দ্দিষ্ট

সময়ৰ পূৰ্বেই আমাক যাতনা দিবলৈ ইয়ালৈ আহিছে নেকি?" ৩০
সেই সময়ত সিহঁতৰ পৰা নাতিদূৰৈত এজাক গাহৰি চৰি আছিল। ৩১
ভূতবোৰে যীচুক কাকুতি কৰি ক'লে, আপুনি যদি আমাক খেদাবলৈকে
বিচাৰে, তেনেহলে সেই গাহৰি জাকৰ মাজত সোমাবলৈ আমাক
পঠিয়াই দিয়ক। ৩২ তেওঁ সিহঁতক ক'লে, "তেনেহলে যা!" তেতিয়া
মানুহ দুজনৰ পৰা ভূতবোৰ বাহিৰ ওলাই আহি গাহৰিবোৰত সোমাল।
তাতে সেই গাহৰিৰ জাকটো পাহাৰৰ গৰায়েদি নামি দৌৰি গ'ল
আৰু সাগৰত পৰি পানীত ডুবি মৰিল। ৩৩ তেতিয়া গাহৰি চৰোৱা
ৰখীয়াবোৰে দৌৰি পলাই গৈ নগৰত থকা মানুহবোৰক সকলোবোৰ
কথা জনালে; বিশেষকৈ ভূতে পোৱা লোক দুজনৰ বিষয়েও সম্বাদ
দিলে। ৩৪ তেতিয়া যীচুক সাক্ষাৎ কৰিবলৈ নগৰৰ সকলো মানুহ
ওলাই আহিল; তেওঁলোকে যীচুক দেখা পাই তেওঁক অনুৰোধ কৰি
ক'লে, তেওঁ যেন তেওঁলোকৰ অঞ্চলৰ পৰা গুচি যায়।

**৯** পাছত যীচুৱে নাৱত উঠি সাগৰ পাৰ হৈ নিজৰ নগৰলৈ আহিল।
২ এনেতে কেইজনমান লোকে বিচনাত পৰি থকা এজন পক্ষাঘাত
ৰোগত আক্ৰান্ত অৱশ ৰোগীক তেওঁৰ ওচৰলৈ আনিলে। সেই লোক
সকলৰ দৃঢ় আস্থা দেখি যীচুৱে ৰোগীজনক ক'লে, "বোপা, নিৰ্ভয়
হোৱা; তোমাৰ সকলো পাপ ক্ষমা কৰা হ'ল।" ৩ তেতিয়া বিধানৰ
অধ্যাপক কেইজনমানে নিজৰ মাজতে মনে মনে কবলৈ ধৰিলে, "এই
মানুহ জনে ঈশ্বৰৰ নিন্দা কৰিছে।" ৪ যীচুৱে তেওঁলোকৰ মনৰ চিন্তা
বুজি পাই ক'লে, 'আপোনালোকে মনে মনে বেয়া চিন্তা কৰিছে কিয়?'
৫ কোনটো কোৱা সহজ- 'তোমাৰ পাপ সমূহ ক্ষমা কৰা হ'ল' নে
'তুমি উঠি খোজকাঢ়ি ফুৰা'? ৬ কিন্তু আপোনালোকে যেন জানিব
পাৰে যে, এই পৃথিৱীত পাপ ক্ষমা কৰাৰ ক্ষমতা মানুহৰ পুত্ৰৰ আছে';
ইয়াকে কৈ যীচুৱে সেই ৰোগীজনক ক'লে, 'উঠা, তোমাৰ শয্যা তুলি
লোৱা আৰু নিজৰ ঘৰলৈ যোৱা।' ৭ তাতে তেওঁ উঠি নিজৰ ঘৰলৈ
গ'ল। ৮ ইয়াকে দেখি লোক সকলৰ ভয় লাগিল আৰু ঈশ্বৰে মানুহক
এনে ক্ষমতা দিয়াৰ কাৰণে ঈশ্বৰৰ প্ৰশংসা কৰিবলৈ ধৰিলে। ৯ যীচু
যেতিয়া সেই ঠাইৰ পৰা গৈ আছিল, তেতিয়া মথি নামেৰে এজন

মানুহক কৰ সংগ্ৰহ কৰা ঠাইত বহি থকা দেখা পালে। যীচুৱে তেওঁক
ক'লে, "মোৰ পাছত আহা।" মথিয়ে তেতিয়াই উঠি তেওঁৰ পাছে পাছে
গ'ল। ১০ ইয়াৰ পাছত যীচুৱে মথিৰ ঘৰত ভোজন কৰিবলৈ বহিল।
তাত কৰ সংগ্ৰহকৰী আৰু পাপী লোক সকল আহি যীচু আৰু তেওঁৰ
শিষ্য সকলৰ লগত ভোজনত বহিল। ১১ ফৰীচী সকলে ইয়াকে দেখি
যীচুৰ শিষ্য সকলক সুধিলে, "তোমালোকৰ গুৰুৱে কৰ সংগ্ৰহকৰী
আৰু 'পাপী লোক' সকলৰ সৈতে কিয় ভোজন কৰে?" ১২ এই কথা
শুনি যীচুৱে ক'লে, "সুস্থ মানুহৰ কাৰণে চিকিৎসকৰ প্ৰয়োজন নাই;
কিন্তু ৰোগী সকলৰ কাৰণেহে প্ৰয়োজন আছে। ১৩ "মই বলিদান
নোখোজো, দয়াহে বিচাৰো,"শাস্ত্ৰৰ এই কথাষাৰৰ অৰ্থ কি সেই বিষয়ে
শিকি আহাগৈ। কিয়নো মই ধাৰ্মিক লোকক মন-পালটন কৰিবৰ বাবে
নিমন্ত্ৰণ কৰা নাই, কিন্তু পাপী লোকক নিমন্ত্ৰণ কৰিবৰ বাবেহে মই
আহিছোঁ।" ১৪ তাৰ পাছত যোহনৰ শিষ্য সকলে যীচুৰ ওচৰলৈ আহি
ক'লে, "আমি আৰু ফৰীচী সকলে প্ৰায়েই লঘোন দিওঁ, কিন্তু আপোনাৰ
শিষ্য সকলে কিয় লঘোন নিদিয়ে?" ১৫ তেতিয়া যীচুৱে তেওঁলোকক
ক'লে, "দৰা লগত থাকোতে জানো দৰাৰ সখি সকলে শোক কৰিব
পাৰে? কিন্তু এনে দিন আহিব, যেতিয়া দৰাক তেওঁলোকৰ ওচৰৰ পৰা
লৈ যোৱা হ'ব; তেতিয়া তেওঁলোকেও লঘোন দিব।" ১৬ "কোনেও
পুৰণি বস্ত্ৰত নতুন কাপোৰৰ টাপলি নামাৰে; কিয়নো টাপলি মাৰা
নতুন কাপোৰ ডোখৰে সেই বস্ত্ৰক ফালি নিয়ে; তাতে ফটা ডোখৰ
বেচিকৈহে ফাটে।" ১৭ এনেদৰে কোনো মানুহে নতুন দ্ৰাক্ষাৰসচামৰাৰ
পুৰণি মোটতনথয়; যদি থয়, মোটবোৰ ফাটি গৈ সেই দ্ৰাক্ষাৰস পৰি
যায় আৰু মোটবোৰো নষ্ট হয়। বৰং মানুহে নতুন দ্ৰাক্ষাৰস নতুন
মোটতহে থয়, আৰু তেতিয়াহে দুয়ো সুৰক্ষিত থাকে।" ১৮ যীচুৱে
লোক সকলক যেতিয়া এইবোৰ কথা কৈ আছিল, তেতিয়া এজন
শাসনকৰ্তাই আহি তেওঁক প্ৰণিপাত কৰি ক'লে, "মোৰ ছোৱালী জনীৰ
এইমাত্ৰ মৃত্যু হ'ল; আপুনি আহি তাইৰ ওপৰত হাত ৰাখক, তাতে তাই
জীয়াই উঠিব।" ১৯ তেতিয়া যীচু আৰু তেওঁৰ শিষ্য সকলে উঠি তেওঁৰ
পাছে পাছে গ'ল। ২০ সেই সময়তে এগৰাকী মহিলাই পাছফালৰ

পৰা যীচুৰ ওচৰলৈ আহি তেওঁৰ কাপোৰৰ দহি চুলে; সেই মহিলা
গৰাকী বাৰ বছৰ ধৰি ৰক্তস্ৰাৱ ৰোগত ভুগি আছিল। ২১ তেওঁ মনে
মনে ভাৱিছিল, “যদি মই যীচুৰ কাপোৰ খনকে অকল চুব পাৰোঁ,
তেনেহলেও মই ভাল হৈ যাম।” ২২ যীচুৱে মুখ ঘূৰাই তেওঁক দেখি
ক’লে, “ভনী, নিৰ্ভয় হোৱা; তোমাৰ বিশ্বাসেই তোমাক সুস্থ কৰিলে।”
সেই সময়ৰে পৰা সেই মহিলা গৰাকী সুস্থ হ’ল। ২৩ তাৰ পাছত যীচু
সেই শাসনকৰ্তাৰ ঘৰলৈ গ’ল। তাত তেওঁ বাঁহীবাদক সকলক দেখিলে
আৰু লোক সকলে হুলস্থুল কৰি থকা দেখা পালে। ২৪ যীচুৱে ক’লে,
“চাওঁ, তোমালোক আতৰ হোৱা। ছোৱালী জনী মৰা নাই, টোপনি
গৈছে।” এই কথা শুনি তেওঁলোকে হাঁহিবলৈ ধৰিলে। ২৫ পাছত লোক
সকলক ঘৰৰ পৰা বাহিৰ কৰি দিয়াত যীচু ভিতৰলৈ গ’ল আৰু ছোৱালী
জনীৰ হাতত ধৰিলে; তেতিয়া তাই উঠিল। ২৬ পাছত সেই অঞ্চলৰ
সকলো ঠাইতে এই ঘটনাৰ বিষয়ে বিয়পি পৰিল। ২৭ যীচু তাৰ
পৰা যাওঁতে দুজন অন্ধ লোক তেওঁৰ পাছে পাছে গ’ল। তেওঁলোকে
চিঞৰি চিঞৰি কবলৈ ধৰিলে, “হে দায়ুদৰ বংশৰ সন্তান, আমাক দয়া
কৰক।” ২৮ পাছত যীচু যেতিয়া ঘৰ আহি পালে, সেই অন্ধ দুজন
তেওঁৰ ওচৰলৈ আহিল। তেতিয়া যীচুৱে তেওঁলোকক সুধিলে, “মই
এই কম কৰিব পাৰোঁ বুলি তোমালোকে বিশ্বাস কৰা নে?” তেওঁলোকে
তেওঁক ক’লে, “হয় প্ৰভু, কৰোঁ।” ২৯ তেতিয়া তেওঁ তেওঁলোকৰ চকু
চুই ক’লে, “তোমালোকে যেনেদৰে বিশ্বাস কৰিছা, তোমালোকৰ প্ৰতি
সেইদৰেই হওক।” ৩০ সেই মুহুৰ্ততে তেওঁলোকৰ চকু মুকলি হ’ল।
তাৰ পাছত যীচুৱে তেওঁলোকক কঠোৰভাৱে সাৱধান কৰি দি ক’লে,
“চাবা, এই বিষয়ে যেন কোনেও নাজানে।” ৩১ কিন্তু তেওঁলোকে
ওলাই গৈ সেই এলেকাৰ সকলো ঠাইতে এই বিষয়ে কৈ ফুৰিলে।
৩২ সেই দুজন মানুহ যেতিয়া ওলাই গ’ল, সেই সময়তে কিছুমান
মানুহে ভূতে পোৱা এজন বোবা লোকক যীচুৰ ওচৰলৈ আনিলে। ৩৩
যীচুৱে সেই ভূতক খেদোৱাৰ পাছত বোবা মানুহ জনে কথা কবলৈ
ধৰিলে। ইয়াকে দেখি সকলো মানুহে আচৰিত হৈ ক’লে, “ইস্ৰায়েল
দেশত আগেয়ে কেতিয়াও এনেকুৱা দেখা পোৱা নাই!” ৩৪ কিন্তু

ফৰীচী সকলে ক'লে, "সি ভূতবোৰৰ ৰজা চয়তানৰ সহায়ত ভূতক
খেদায়।" ৩৫ যীচুৱে সকলো নগৰ আৰু গাওঁবোৰত গৈ ইহুদী সকলৰ
নাম-ঘৰবোৰত উপদেশ দিলে আৰু ৰাজ্যৰ শুভবাৰ্তা প্ৰচাৰ কৰিবলৈ
ধৰিলে। ইয়াৰ বাহিৰেও তেওঁ সকলো ধৰণৰ ৰোগ-ব্যাধিত পৰি থকা
লোক সকলক সুস্থতা দান কৰিলে। ৩৬ তাতে লোক সকলৰ ভিৰ দেখা
পাই, তেওঁলোকৰ প্ৰতি যীচুৰ মৰম লাগিল; কাৰণ তেওঁলোক ৰখীয়া
নোহোৱা মেৰৰ নিচিনা ক্লান্ত আৰু অসহায় আছিল। ৩৭ তেতিয়া যীচুৱে
তেওঁৰ শিষ্য সকলক ক'লে, "শস্য সৰহ, কিন্তু বনুৱা তাকৰ। ৩৮
এই হেতুকে শস্যৰ গৰাকীৰ ওচৰত প্ৰাৰ্থনা কৰা, যাতে তেওঁ নিজৰ
শস্যক্ষেত্ৰলৈ বনুৱা সকলক পঠাই দিয়ে।"

**১০** যীচুৱে তেওঁৰ বাৰ জন শিষ্যক একেলগে ওচৰলৈ মাতি
তেওঁলোকক অশুচি আত্মাক খেদাবলৈ আৰু সকলো ধৰণৰ ৰোগ-
ব্যাধি আৰু অসুস্থ জনক সুস্থ কৰিবলৈ অধিকাৰ দিলে। ২ সেই বাৰ জন
পাঁচনিৰ নাম এই, প্ৰথম চিমোন, যি জনক পিতৰো বোলে আৰু তেওঁৰ
ভায়েক আন্দ্ৰিয়, চিবদিয়ৰ পুতেক যাকোব আৰু তেওঁৰ ভায়েক যোহন,
৩ ফিলিপ আৰু বাৰ্থলময়, থোমা আৰু কৰ সংগ্ৰহকাৰী মথি, আলফয়ৰ
পুতেক যাকোব আৰু থদ্দেয়, ৪ জাতীয়তাবাদী চিমোন আৰু যীচুক যি
জনে শত্ৰুৰ হাতত শোধাই দিছিল, সেই ঈষ্কৰিয়োতীয়া যিহূদা। ৫
এই বাৰ জনক যীচুৱে এই আদেশ দি পঠালে, "তোমালোকে অনা-
ইহুদী সকলৰ কোনো ঠাইলৈ নাযাবা আৰু চমৰীয়া সকলৰ কোনো
নগৰত নোসোমাবা। ৬ কিন্তু ইস্ৰায়েল জাতিৰ হেৰোৱা মেৰবোৰৰ
ওচৰলৈ যোৱা। ৭ বাটত যাওঁতে যাওঁতে এই কথা প্ৰচাৰ কৰিবা যে
'স্বৰ্গৰাজ্য ওচৰ হ'ল।' ৮ অসুস্থ লোকক সুস্থ কৰিবা, মৃত লোকক
তুলিবা, কুষ্ঠ ৰোগী সকলক শুচি কৰিবা, ভূতক খেদাবা। তোমালোকে
বিনামূল্যে পাইছা, বিনামূল্যেই দিবা। ৯ তোমালোকৰ কঁকালৰ পেটিত
তোমালোকে সোণ, ৰূপ বা তাম নাইবা পইচাও নিনিবা। ১০ বাটত
যোৱাৰ কাৰণে কোনো জোলোঙা, দুটা চোলা, পাদুকা বা লাখুটি
এইবোৰও নলবা; কিয়নো বনুৱা নিজৰ পাৰিশ্ৰমিক পোৱাৰ যোগ্য।
১১ তোমালোকে যেতিয়া কোনো নগৰ বা গাৱঁত সোমাবা, তাত এজন

উপযুক্ত মানুহ বিচাৰি ল'বা আৰু আন ঠাইলৈ নোযোৱা পৰ্যন্ত সেই
ঘৰতে থাকিবা। ১২ যেতিয়া তোমালোকে কোনো এঘৰত সোমাবা,
তেতিয়া সেই ঘৰৰ লোকক শুভেচ্ছা জনাই মঙ্গলবাদ দিবা। ১৩
সেই ঘৰ যদি উপযুক্ত হয়, তেনেহলে তোমালোকৰ শান্তি সেই ঘৰৰ
ওপৰলৈ নামি আহক; কিন্তু সেই ঘৰ যদি উপযুক্ত নহয়, তেনেহলে
তোমালোকৰ শান্তি তোমালোকৰ ওচৰলৈ উলটি আহক। ১৪ যদি
কোনোৱে তোমালোকক গ্ৰহণ নকৰে বা তোমালোকৰ কথাও নুশুনে,
তেনেহলে সেই ঘৰ বা নগৰৰ পৰা ওলাই যাওঁতে তোমালোকৰ
ভৰিৰ ধূলি জোকাৰি পেলাবা। ১৫ মই তোমালোকক সঁচাকৈ কওঁ,
মহা-বিচাৰৰ দিনা সেই নগৰতকৈ বৰং চদোম আৰু ঘমোৰা নগৰৰ
দশা অধিক সহিব পৰা হ'ব।" ১৬ শুনা! মই ৰাংকুকুৰবোৰৰ মাজলৈ
তোমালোকক মেৰ-পোৱালিৰনিচিনাকৈ পঠিয়াইছো; এই হেতুকে
তোমালোক সাপৰ দৰে টেঙৰ আৰু কপৌৰ নিচিনা অমায়িক হোৱা।
১৭ সতৰ্কভাৱে চলিবা; কিয়নো লোক সকলে তোমালোকক বিচাৰ
সভাত শোধাই দিব আৰু তেওঁলোকৰ নাম-ঘৰবোৰত তোমালোকক
কোবাব। ১৮ মোৰ কাৰণেই তোমালোকক ৰাজ্যপাল আৰু ৰজা
সকলৰ সন্মুখলৈ লৈ যোৱা হ'বা, যাতে তোমালোকে তাত তেওঁলোকৰ
আৰু অনা-ইহুদী সকলৰ ওচৰত সাক্ষ্য দিব পাৰা। ১৯ লোক সকলে
যেতিয়া তোমালোকক শোধাই দিব, তেতিয়া কেনেকৈ, কি কথা ক'ব
লাগে, সেই বিষয় লৈ চিন্তা নকৰিবা; কিয়নো তেতিয়া যি কথা ক'ব
লাগে, সেই বিষয়বোৰ সেই মুহূৰ্ত্ততে তোমালোকক দিয়া হ'ব। ২০
কিয়নো সেই কথা তোমালোকে নহয়, কিন্তু তোমালোকৰ পিতৃৰ
আত্মাইহেতোমালোকৰ ভিতৰৰ পৰা কব। ২১ ককায়েকে ভায়েকক
আৰু বাপেকে পুতেকক মৃত্যুদণ্ডলৈ শোধাই দিব। সন্তান সকলে মাক-
বাপেকৰ বিৰুদ্ধে উঠি তেওঁলোকক মৃত্যুৰ মুখলৈ ঠেলি দিব। ২২ মোৰ
নামৰ কাৰণে, তোমালোক সকলোৰে ঘৃণাৰ পাত্ৰ হ'বা; কিন্তু যি জনে
শেষলৈকে সহি থাকে, সেই জনেই পৰিত্ৰাণ পাব। ২৩ যেতিয়া কোনো
নগৰৰ লোকে তোমালোকক তাড়না কৰে, তেতিয়া আন এখন নগৰলৈ
পলাই যাবা; মই তোমালোকক সঁচাকৈ কৈছোঁ, ইস্ৰায়েল দেশৰ সকলো

নগৰলৈ তোমালোকে গৈ শেষ কৰাৰ আগেয়ে মানুহৰ পুত্ৰ আহিব।
২৪ শিষ্য কেতিয়াও গুৰুতকৈ উৰ্দ্ধত নহয়, দাসো প্ৰভুতকৈ উৰ্দ্ধত
নহয়। ২৫ শিষ্য যদি গুৰুৰ দৰে আৰু দাস যদি নিজৰ প্ৰভুৰ দৰে হ'ব
পাৰে, সেয়ে যথেষ্ট। ঘৰৰ গৰাকীকে যেতিয়া তেওঁলোকে বেলচবূব
বুলিলে, তেনেহলে তেওঁৰ পৰিয়ালৰ আন সকলোকে কিমান অধিক
বুলিব! ২৬ গতিকে তোমালোকে তেওঁলোকলৈ ভয় নকৰিবা; কিয়নো
লুকুৱাই ৰখা সকলো বিষয়েই প্ৰকাশ পাব আৰু গোপনে ৰখা সকলো
বিষয়েই জনোৱা হ'ব। ২৭ মই তোমালোকক আন্ধাৰত যি কওঁ,
সেইবোৰ তোমালোকে পোহৰত প্ৰকাশ কৰিবা আৰু তোমালোকে
কাণেৰে যি শুনিছা, সেইবোৰ ঘৰৰ ওপৰত উঠি ঘোষণা কৰিবা।
২৮ যি সকলে কেৱল শৰীৰকহে বধ কৰে, কিন্তু আত্মাক বধ কৰিব
নোৱাৰে, তেওঁলোকলৈ ভয় নকৰিবা; কিন্তু যি জনে আত্মা আৰু শৰীৰ,
এই দুয়োকো নৰকত নষ্ট কৰিব পাৰে, তেওঁকেহে ভয় কৰিবা।
(Geenna g1067) ২৯ দুটা ঘৰ-চিৰিকা ক্ষুদ্ৰ পইচালৈ নেবেচে নে? তথাপি
তোমালোকৰ পিতৃৰ অনুমতি অবিহনে সেইবোৰৰ এটিও মাটিত
নপৰে। ৩০ তোমালোকৰ মূৰৰ আটাইবোৰ চুলিৰো হিচাব ৰখা আছে।
৩১ এই হেতুকে ভয় নকৰিবা; তোমালোক অনেক ঘৰ-চিৰিকাতকৈ
বহুমূলীয়া। ৩২ এতেকে যি কোনোৱে মানুহৰ আগত মোক স্বীকাৰ
কৰে, ময়ো স্বৰ্গত থকা মোৰ পিতৃৰ আগত তেওঁক স্বীকাৰ কৰিম; ৩৩
কিন্তু মানুহৰ আগত যি কোনোৱে মোক অস্বীকাৰ কৰে, স্বৰ্গত থকা
মোৰ পিতৃৰ আগত ময়ো তেওঁক অস্বীকাৰ কৰিম। ৩৪ মই পৃথিৱীত
শান্তি দিবলৈ আহিলোঁ বুলি নাভাবিবা; শান্তি দিবলৈ নহয়, কিন্তু
তৰোৱাল দিবলৈহে আহিলোঁ। ৩৫ বাপেকৰ বিৰুদ্ধে পুতেকৰ, মাকৰ
বিৰুদ্ধে জীয়েকৰ, শাহুৱেকৰ বিৰুদ্ধে বোৱাৰীয়েকৰ ভেদ জন্মাবলৈহে
আহিলোঁ; ৩৬ নিজৰ পৰিয়ালৰ লোক সকলেই মানুহৰ শত্ৰু হ'ব।
৩৭ যি কোনোৱে মোতকৈয়ো নিজৰ পিতৃ বা মাতৃক অধিক প্ৰেম
কৰে, তেওঁ মোৰ উপযুক্ত নহয়; আৰু যি কোনোৱে মোতকৈ নিজৰ
পুতেক বা জীয়েকক অধিক প্ৰেম কৰে, তেওঁ মোৰ উপযুক্ত নহয়।
৩৮ যি কোনোৱে নিজৰ ক্ৰুচ লৈ মোৰ পাছে পাছে নাহে; তেৰোঁ মোৰ

উপযুক্ত নহয়। ৩৯ যি কোনোৱে নিজৰ জীৱন ৰক্ষা কৰিব বিচাৰে,
তেওঁ জীৱন হেৰুৱাব; আৰু যি কোনোৱে মোৰ কাৰণে নিজৰ জীৱন
উৎসৰ্গ কৰে, তেওঁ জীৱন পাব। ৪০ যি কোনোৱে তোমালোকক গ্ৰহণ
কৰে; তেওঁ মোকে গ্ৰহণ কৰে আৰু যি কোনোৱে মোক গ্ৰহণ কৰে,
তেওঁ মোক পঠোৱা জনকেই গ্ৰহণ কৰে। ৪১ এজন ভাৱবাদীক যদি
কোনোৱে ভাৱবাদী বুলি গ্ৰহণ কৰে, তেওঁ ভাববাদীৰ পুৰস্কাৰ পাব
আৰু এজন ধাৰ্মিকক যদি কোনোৱে ধাৰ্মিক বুলি গ্ৰহণ কৰে, তেওঁ
ধাৰ্মিকৰ পুৰস্কাৰ পাব। ৪২ যি কোনোৱে এই সাধাৰণ লোক সকলৰ
মাজৰ এজনক মোৰ শিষ্য বুলি এবাটি চেঁচা পানী মাথোন খুৱায়,
মই তোমালোকক সঁচাকৈ কওঁ, তেওঁ কোনোমতেই নিজৰ পুৰস্কাৰ
নেহেৰুৱাব।

**১১** যীচুৱে তেওঁৰ বাৰ জন শিষ্যক এইদৰে আদেশ দি শেষ কৰিলে।
তাৰ পাছত তেওঁ নগৰে নগৰে শিক্ষা দিবৰ বাবে আৰু প্ৰচাৰ কৰিবৰ
কাৰণে সেই ঠাইৰ পৰা গুচি গ'ল। ২ যোহনে বন্দীশালৰ পৰা যেতিয়া
খ্ৰীষ্টৰ কৰ্মৰ কথা শুনিলে, তেতিয়া নিজৰ শিষ্য সকলৰ দ্বাৰাই যীচুক
সুধি পঠালে, ৩ ক'লে "আহিব লগা জন আপুনিয়ে হয়নে, নে আমি অন্য
কোনোবা এজনলৈ অপেক্ষা কৰিম?" ৪ যীচুৱে উত্তৰ দি তেওঁলোকক
ক'লে, "যোৱা, তোমালোকে যি শুনিছা আৰু দেখিছা, সেই বিষয়ৰ
সম্বাদ যোহনক দিয়াগৈ। ৫ অন্ধই দৃষ্টিশক্তি পাইছে, খোৰাই খোজ
কাঢ়িছে, কুষ্ঠ ৰোগীক শুচি কৰা হৈছে, কলাই পুণৰ শুনিছে, মৃত
সকলক জীৱনলৈ পুণৰুত্থিত কৰা হৈছে, দৰিদ্ৰ সকলৰ আগত শুভবাৰ্তা
ঘোষণা কৰা হৈছে। ৬ ধন্য সেই লোক, যি জনে মোক লৈ কোনো
বাধা নাপায়।" ৭ যোহনৰ শিষ্য সকল যেতিয়া উলটি গ'ল, সেই
সময়ত যীচুৱে যোহনৰ বিষয়ে লোক সকলৰ আগত এই কথা কবলৈ
ধৰিলে, "আপোনালোকে কি চাবৰ বাবে মৰুপ্ৰান্তলৈ গৈছিল- বতাহে
লৰোৱা এক নল-খাগৰি? ৮ তেনেহলে কি চাবলৈ ওলাই গৈছিল-
মিহি কাপোৰ পিন্ধা মানুহ নে? বাস্তৱিকতে, যি সকলে মিহি কাপোৰ
পিন্ধে, তেওঁলোক ৰজাৰ ভৱনতহে থাকে। ৯ তেনেহলে কি চাবলৈ
ওলাই গৈছিল - এজন ভাববাদীক নে? হয়, মই আপোনালোকক কওঁ,

‘তেওঁ ভাৱবাদীতকৈয়ো মহান। ১০ এই জন তেৱেঁই, যি জনৰ বিষয়ে
শাস্ত্ৰত লিখা আছে, ‘চোৱা, মই তোমাৰ আগত মোৰ বাৰ্তাবাহকক
পঠাম, তেওঁ তোমাৰ আগত তোমাৰ পথ প্ৰস্তুত কৰিব।’ ১১ মই
আপোনালোকক সঁচাকৈয়ে কওঁ, মহিলাৰ গৰ্ভত যিমান মানুহৰ জন্ম
হৈছে, তেওঁলোকৰ মাজত বাপ্তাইজক যোহনতকৈ মহান কোনো নাই;
কিন্তু স্বৰ্গৰাজ্যত আটাইতকৈ গুৰুত্বহীন সৰু ব্যক্তিও যোহনতকৈ মহান।
১২ বাপ্তাইজক যোহনৰ দিনৰ পৰা এতিয়ালৈকে স্বৰ্গৰাজ্য ভীষণভাৱে
আক্ৰান্ত হৈছে আৰু বলৱান লোকে বলেৰে তাক নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা
কৰিছে। ১৩ যোহনৰ সময়লৈকে সকলো ভাববাদীয়ে আৰু বিধান-
শাস্ত্ৰই ভাবোক্তি প্ৰকাশ কৰিছে। ১৪ আপোনালোকে যদি এই কথা
গ্ৰহণ কৰিব খোজে, তেনেহলে আহিব লগা যি এলিয়া, এই যোহনেই
সেই জন। ১৫ যি জনৰ শুনিবলৈ কাণ আছে, তেওঁ শুনক। ১৬ এই
যুগৰ লোক সকলক কাৰ লগত তুলনা কৰিম? এওঁলোক এনেকুৱা
ল’ৰা-ছোৱালীৰ নিচিনা, যি সকলে বজাৰত বহি সঙ্গী সকলক মাতি
কয়; ১৭ ‘আমি তোমালোকৰ কাৰণে বাঁহী বজালো, তোমালোকে
নানাচিলা; আমি শোকৰ গান গালো, তোমালোকে বিলাপ নকৰিলা।’
১৮ যোহনে আহি ভোজন গ্ৰহণ বা দ্ৰাক্ষাৰস পান একো নকৰাৰ কাৰণে
লোকে কয়, ‘তেওঁক ভূতে পাইছে’। ১৯ মানুহৰ পুত্ৰই আহি ভোজন-
পান কৰিলে কাৰণে লোকে কয়, ‘এই চোৱা, এই জন এজন খকুৱা
আৰু মদাহী মানুহ; কৰ সংগ্ৰহকাৰী আৰু পাপীবোৰৰ বন্ধু! কিন্তু জ্ঞান
যে সত্য, নিজৰ কৰ্মৰ দ্বাৰাই প্ৰমাণিত হয়।’” ২০ যীচুৱে যিবোৰ নগৰত
বেচি ভাগ পৰাক্ৰম কাৰ্য কৰিছিল, সেইবোৰ ঠাইৰ নিবাসী সকলক
তেওঁ গৰিহণা দিলে, কাৰণ তেওঁলোকে মন-পালটন নকৰিলে। ২১
“হায় কোৰাচীন! হায় বৈৎ-চৈদা! কিয়নো তোমালোকৰ মাজত যিবোৰ
পৰাক্ৰম কাৰ্য কৰা হ’ল, সেইবোৰ কাৰ্য যদি তুৰ আৰু চীদোন নগৰত
কৰিলোঁ হয়, তেনেহলে বহু দিনৰ আগেয়ে তাৰ নিবাসী সকলে চট
পিন্ধিলেহেঁতেন আৰু ছাইত বহি মন-পালটন কৰিলেহেঁতেন। ২২ কিন্তু
মই আপোনালোকক কওঁ, সোধ-বিচাৰৰ দিনা আপোনালোকতকৈ
তুৰ আৰু চীদোনৰদশা সহিব পৰা হ’ব। ২৩ তুমি, কফৰনাহূম! তুমি

ভাৰা নেকি যে তোমাক স্বৰ্গলৈ তোলা হ’ব? কেতিয়াও নহয়, তোমাক
মৃতলোকলৈ, অৰ্থাৎ নৰকলৈহে অনা হ’ব। কিয়নো তোমাৰ মাজত
যিবোৰ পৰাক্ৰম কাৰ্য কৰা হ’ল, সেইবোৰ কৰ্ম যদি চদোমত কৰা
হ’লহেতেন, তেনেহলে চদোম আজিও থাকিলেহেতেন। **(Hadēs g86)**
২৪ কিন্তু মই তোমালোকক কওঁ, সোধ-বিচাৰৰ দিনা তোমালোকতকৈ
চদোম নগৰৰ দশা সহিবৰ বাবে অধিক সহজ হ’ব।” ২৫ সেই সময়ত
যীচুৱে মাত লগাই ক’লে, “হে পিতৃ, তুমি স্বৰ্গ আৰু পৃথিৱীৰ প্ৰভু,
মই তোমাৰ প্ৰশংসা কৰোঁ, কাৰণ তুমি জ্ঞানী আৰু বুদ্ধিমন্ত লোকৰ
পৰা এইবোৰ কথা গুপুতে ৰাখিছা, কিন্তু শিশু সকলৰ দৰে সৰল
লোক সকলৰ আগত প্ৰকাশ কৰিলা। ২৬ হয় পিতৃ, ‘এইদৰে তোমাৰ
দৃষ্টিত ই সন্তোষজনক হৈছে।’ ২৭ কিয়নো মোৰ পিতৃয়ে সকলোকে
মোৰ হাতত সমৰ্পন কৰিছে; পিতৃৰ বাহিৰে পুত্ৰক কোনেও নাজানে:
পুত্ৰৰ বাহিৰে পিতৃক কোনেও নাজানে। পুত্ৰই যি জনৰ আগত পিতৃক
প্ৰকাশ কৰিবলৈ ইচ্ছা কৰে, তেৱেঁই তেওঁক জানে। ২৮ হে পৰিশ্ৰান্ত
আৰু ভাৰাক্ৰান্ত লোক সকল, মোৰ ওচৰলৈ আহা; মই তোমালোকক
জিৰণি দিম। ২৯ মই নম্ৰ আৰু কোমল চিত্তৰ মানুহ; এই হেতুকে,
তোমালোকৰ ওপৰত মোৰ যুঁৱলি লোৱা আৰু মোৰ শিক্ষা লোৱা; তাতে
তোমালোকে নিজৰ নিজৰ মনত জিৰণি পাবা। ৩০ কিয়নো মোৰ
যুঁৱলি বৈ নিয়া সহজ আৰু মোৰ বোজাও লঘু।”

**১২** এদিন বিশ্ৰামবাৰে শিষ্য সকলৰ সৈতে যীচু শস্যক্ষেত্ৰৰ মাজেদি
গৈ আছিল। সেই সময়ত তেওঁৰ শিষ্য সকলৰ ভোক লাগিছিল বাবে
তেওঁলোকে শস্যৰ থোক ছিঙি ছিঙি খাইছিল। ২ ইয়াকে দেখি
ফৰীচী সকলে তেওঁক ক’লে, “চাওক, বিধানৰ মতে বিশ্ৰামবাৰে যি
কৰ্ম কৰিব নাপায়, সেই কৰ্ম আপোনাৰ শিষ্য সকলে কৰিছে।” ৩
তেতিয়া যীচুৱে তেওঁলোকক ক’লে, “দায়ুদ আৰু তেওঁৰ সঙ্গী সকলৰ
যেতিয়া ভোক লাগিছিল, তেতিয়া তেওঁ যি কৰিছিল সেই বিষয়ে জানো
আপোনালোকে পঢ়া নাই? ৪ কেনেকৈ, তেওঁ ঈশ্বৰৰ গৃহত সোমাই
উৎসৰ্গৰ পিঠা খাইছিল; সেই দৰ্শন পিঠা বিধানৰ মতে তেওঁ আৰু
তেওঁৰ লগত থকা সকলে অৱশ্যেই খোৱা উচিত নাছিল৷ সেই পিঠা

কেৱল পুৰোহিত সকলেহে খাব পাৰে। ৫ তাৰোপৰি আপোনালোকে
মোচিৰ বিধান-শাস্ত্ৰত পঢ়া নাই নে, বিশ্ৰামবাৰে যে পুৰোহিত সকলে
মন্দিৰত কাম কৰি বিশ্ৰামবাৰৰ নিয়ম উলঙ্ঘন কৰিলেও নিৰ্দোষী
হয়? ৬ কিন্তু মই আপোনালোকক কওঁ, মন্দিৰতকৈয়ো মহান এজন
ইয়াত আছে। ৭ 'মই বলিদান নোখোজো, দয়াহে খোজো'শাস্ত্ৰৰ
এই কথাৰ অৰ্থ আপোনালোকে জনা হ'লে, নিৰ্দ্দোষী সকলক দোষী
নকৰিলেহেঁতেন। ৮ কিয়নো মানুহৰ পুত্ৰই বিশ্ৰামবাৰৰ অধিপতি।" ৯
তাৰ পাছত যীচু সেই ঠাইৰ পৰা গ'ল আৰু তেওঁলোকৰ নাম-ঘৰত
সোমাল। ১০ তাত এজন মানুহ আছিল, আৰু সেই মানুহ জনৰ এখন
হাত শুকাই গৈছিল। যীচুক পাপ কৰাৰ অপৰাধত দোষ দিবৰ উদ্দেশ্যে
ফৰীচী সকলে তেওঁক সুধিলে, "বিধান অনুসাৰে বিশ্ৰামবাৰে সুস্থ
কৰিব পায় নে?" ১১ তাতে তেওঁ তেওঁলোকক ক'লে, "আপোনালোকৰ
মাজৰ কাৰোবাৰ যদি কেৱল এটা মেৰথাকে আৰু সেই মেষটোযদি
বিশ্ৰামবাৰে গাতত পৰে, তেনেহলে তাক ধৰি তুলি আনিবলৈ নোযোৱা
কোনোবা আছে নে? ১২ তেনেহলে মেৰতকৈমানুহ কিমান বহুমূলীয়া!
এই হেতুকে, বিশ্ৰামবাৰে ভাল কৰ্ম কৰা বিধানযুক্ত।" ১৩ তাৰ পাছত
যীচুৱে সেই মানুহ জনক ক'লে, "তোমাৰ হাত খন মেলি দিয়া।" তাতে
মানুহ জনে নিজৰ হাত খন মেলি দিয়াত, সেই হাত খন সম্পূৰ্ণ সুস্থ
হৈ আন খন হাতৰ নিচিনা হ'ল। ১৪ তেতিয়া ফৰীচী সকল বাহিৰলৈ
ওলাই গ'ল আৰু যীচুক বধ কৰিবৰ কাৰণে তেওঁৰ বিৰুদ্ধে চক্ৰান্ত
কৰিবলৈ ধৰিলে। ১৫ যীচুৱে সেই বিষয়ে বুজি পোৱাত, তেওঁ তাৰ
পৰা আতৰি গ'ল৷ তেতিয়া বহু মানুহ তেওঁৰ পাছে পাছে গ'ল আৰু
সেই লোক সকলক তেওঁ সুস্থ কৰিলে। ১৬ যীচুৱে তেওঁলোকক তেওঁৰ
বিষয়ে আনৰ আগতকৈ নুফুৰিবলৈ সাৱধান কৰি দিলে। ১৭ এইদৰে
যিচয়া ভাববাদীৰ যোগেদি কোৱা এই কথা পূৰ্ণ হ'ল; বোলে- ১৮
"চোৱা, তেওঁ মোৰ সেৱক, তেওঁক মই মনোনীত কৰিলোঁ। তেৱেঁই
মোৰ প্ৰিয়জন, মোৰ প্ৰাণ তেওঁতেই পৰম সন্তুষ্ট হয়। মই তেওঁৰ
ওপৰত মোৰ আত্মা দিম, তাতে তেওঁ অনা-ইহুদী সকলক ন্যায়-
বিচাৰ ঘোষণা কৰিব। ১৯ তেওঁ দ্বন্দ্ব নকৰিব বা আটাহ নাপাৰিব;

আলিবাটত কোনেও তেওঁৰ মাত নুশুনিব! ২০ ন্যায়-বিচাৰ জয়যুক্তলৈ
প্ৰচাৰ নকৰে মানে, তেওঁ থেতেলি যোৱা নল নাভাঙিব, ধোৱাঁই থকা
শলিতাও নুনুমাব; ২১ আৰু অনা-ইহুদী সকলে তেওঁৰ নামত আশা
ৰাখিব।" ২২ সেই সময়ত মানুহ কিছুমানে ভূতে পোৱা মানুহ এজনক
যীচুৰ ওচৰলৈ লৈ আহিল। মানুহ জন অন্ধ আৰু বোবা আছিল। যীচুৱে
তেওঁক সুস্থ কৰাত সেই বোবাই কথা ক'লে আৰু দৃষ্টিও পালে। ২৩
তাতে সকলো লোকে বিস্ময় মানি ক'লে, "এই মানুহ দায়ুদৰ বংশধৰ
হ'ব পাৰে নে?" ২৪ ফৰীচী সকলে যীচুৰ এই আচৰিত কাৰ্যৰ কথা
শুনি ক'লে, "এই মানুহে ভূতবোৰৰ ৰজা বেলচবূবৰ সহায় অবিহনে
ভূতক নেখেদায়।" ২৫ কিন্তু যীচুৱে ফৰীচী সকলৰ মনৰ ভাব বুজিব
পাৰি তেওঁলোকক ক'লে, "যি ৰাজ্য নিজৰ মাজতে বিবাদ কৰি ভাগ
ভাগ হয়, সেই ৰাজ্য ধ্বংস হয় আৰু যি নগৰ বা পৰিয়াল নিজৰ
মাজতে বিবাদত লিপ্ত হৈ বিভক্ত হয়, সেই নগৰ বা পৰিয়াল বৰ্তি
নাথাকিব। ২৬ চয়তানে যদি চয়তানকে খেদায়, তেনেহলে সি নিজৰ
মাজতে ভাগ ভাগ হয়; তেতিয়া তাৰ ৰাজ্য কেনেকৈ বৰ্তি থাকিব? ২৭
মই যদি বেলচবূবৰ শক্তিৰ সহায়ত ভূতৰ আত্মা খেদাও, তেনেহলে
আপোনালোকৰ অনুগামী সকলে কি শক্তিৰ সহায়ত সিহঁতক খেদায়?
গতিকে আপোনালোকৰ অনুগামী সকলে আপোনালোকক সঠিক
কথা কৈছে নে নাই বিচাৰ কৰিব। ২৮ কিন্তু মই যদি ঈশ্বৰৰ আত্মাৰ
দ্বাৰাই ভূতৰ আত্মাবোৰক খেদাও, তেনেহলে জানিব যে, ঈশ্বৰৰ ৰাজ্য
অৱশ্যেই আপোনালোকৰ ওচৰ আহি পালে। ২৯ বলৱান জনক প্ৰথমে
নাবান্ধিলে কোনোবাই জানো তেওঁৰ ঘৰত সোমাই বস্তু লুট কৰিব
পাৰে? বলৱান জনক বন্দী কৰাৰ পাছতহে তেওঁৰ ঘৰৰ সকলো বস্তু
তেওঁ লুট কৰিব পাৰিব। ৩০ যি জন মোৰ পক্ষত নহয়, তেওঁ মোৰ
বিপক্ষ; আৰু যি জনে মোৰ সৈতে নচপায়, তেওঁ সিচিঁ পেলায়। ৩১ এই
হেতুকে মই আপোনালোকক কওঁ, মানুহৰ সকলো পাপ আৰু ঈশ্বৰক
কৰা নিন্দা ক্ষমা হ'ব, কিন্তু পবিত্ৰ আত্মাৰ বিৰুদ্ধে কোৱা কোনো
নিন্দাজনক কথা ক্ষমা কৰা নহ'ব। ৩২ মানুহৰ পুত্ৰৰ বিৰুদ্ধে কোনোৱে
কথা ক'লে, তেওঁক ক্ষমা কৰা হ'ব, কিন্তু কোনোৱে পবিত্ৰ আত্মাৰ

বিৰুদ্ধে কথা ক'লে তেওঁক ইহলোকত বা পৰলোকতো ক্ষমা কৰা
নহব। (aiōn g165) ৩৩ গছ ভাল হ'লে ফল ভাল হয় আৰু গছ বেয়া হ'লে
ফল বেয়া হয়। কিয়নো এজোপা গছক তাৰ ফল দেখি চিনিব পাৰি।
৩৪ সৰ্পৰ বংশধৰসকল! নিজে বেয়া হৈ কেনেকৈ আপোনালোকে ভাল
কথা ক'ব পাৰিব? মানুহৰ মন যি কথাৰে পূৰ্ণ থাকে, মুখে সেই কথাকে
কয়। ৩৫ ভাল মানুহে তেওঁৰ অন্তৰত ভৰি থকা ভাল সঞ্চয়ৰ পৰা ভাল
কথা উলিয়ায় আৰু বেয়া মানুহে তেওঁৰ অন্তৰত ভৰি থকা বেয়া সঞ্চয়ৰ
পৰা বেয়া কথা উলিয়ায়। ৩৬ কিন্তু মই আপোনালোকক কওঁ, লোক
সকলে যিবোৰ অনৰ্থক কথা কয়, সোধ-বিচাৰৰ দিনা প্ৰত্যেকটো
কথাৰ হিচাব তেওঁলোকে দিব লাগিব। ৩৭ কিয়নো আপোনাৰ নিজৰ
কথাৰ দ্বাৰাই আপুনি নিৰ্দ্দোষী বুলি প্ৰমাণিত হব আৰু আপোনাৰ নিজৰ
কথাৰ দ্বাৰাই আপোনাক দোষী বুলি প্ৰমাণিত কৰা হব। ৩৮ তাৰ
পাছত কেইজনমান বিধানৰ অধ্যাপক আৰু ফৰীচীয়ে যীচুক উত্তৰ
দি ক'লে, "হে গুৰু, আমি আপোনাৰ পৰা চিন হিচাপে এটা পৰাক্ৰম
কাৰ্য চাবলৈ ইচ্ছা কৰোঁ।" ৩৯ কিন্তু যীচুৱে উত্তৰ দি তেওঁলোকক
ক'লে, "এই যুগৰ দুষ্ট আৰু ব্যভিচাৰীলোকসকলে পৰাক্ৰম কাৰ্যৰ
চিন বিচাৰে; কিন্তু যোনা ভাববাদীৰ চিনৰ বাহিৰে আন কোনো চিন
তেওঁলোকক দেখুওৱা নহব। ৪০ যোনা যেনেকৈ তিনি দিন তিনি ৰাতি
ডাঙৰ মাছৰ পেটৰ ভিতৰত আছিল, তেনেকৈ মানুহৰ পুত্ৰও তিনি দিন
তিনি ৰাতি মাটিৰ তলত থাকিব। ৪১ বিচাৰৰ দিনা এই কালৰ মানুহৰে
সৈতে নীনবি নগৰৰ লোক সকল উঠি তেওঁলোকক দোষী কৰিব,
কিয়নো নীনবিৰ লোক সকলে যোনাৰ প্ৰচাৰৰ ফলত মন-পালটন
কৰিছিল। চাওক, ইয়াত যোনাতকৈয়ো অধিক মহান এজন আছে।
৪২ বিচাৰৰ দিনা এই কালৰ মানুহেৰে সৈতে দক্ষিণ দেশৰ ৰাণীয়ে
উঠি তেওঁলোকক দোষী কৰিব, কিয়নো চলোমন ৰজাৰ জ্ঞানৰ কথা
শুনিবলৈ তেওঁ পৃথিৱীৰ শেষ সীমাৰ পৰা আহিছিল। চাওক, ইয়াত
চলোমনতকৈয়ো অধিক মহান এজন আছে। ৪৩ যেতিয়া কোনো
অশুচি আত্মা কোনো মানুহৰ পৰা বাহিৰ ওলায়, তেতিয়া সি জিৰণি
বিচাৰি পানী নথকা শুকান ঠাইবোৰত ঘূৰি ফুৰে। কিন্তু সি যেতিয়া

সেই ঠাই নাপায়; ৪৪ তেতিয়া সি কয়, 'যি ঘৰৰ পৰা ওলাই আহিলোঁ,
পুনৰ মই সেই ঘৰলৈকে উলটি যাম।' পাছত সি যেতিয়া ঘূৰি আহি
দেখে, কোনোবাই সেই ঘৰ সৰাপোঁচা কৰি সকলো সজাই-পৰাই
পৰিস্কাৰ কৰি থৈছে; ৪৫ তেতিয়া সেই অশুচি আত্মাই গৈ নিজতকৈয়ো
দুষ্ট আন সাতোটা ভূতৰ আত্মাক লগত লৈ আনে আৰু তাতে সোমাই
বাস কৰে। তাতে সেই মানুহৰ প্ৰথম অৱস্থাতকৈ শেষ অৱস্থা অধিক
বেয়া হৈ যায়। এই কালৰ দুষ্ট লোক সকলৰ অৱস্থাও তেনে হ'ব।"
৪৬ যীচুৱে যেতিয়া লোক সকলৰ আগত কথা কৈ আছিল, তেতিয়া
তেওঁৰ মাক আৰু ভায়েক সকলে আহি তেওঁৰ সৈতে কথা পাতিবৰ
বাবে বাহিৰত থিয় হৈ অপেক্ষা কৰি আছিল। ৪৭ তেনেতে কোনো
এজন লোকে তেওঁক ক'লে, "চাওক, আপোনাৰ মা আৰু ভাই সকলে
আপোনাৰ লগত কথা পাতিবৰ কাৰণে বাহিৰত থিয় হৈ আছে।" ৪৮
যীচুৱে তেতিয়া সেই লোক জনক ক'লে, "কোন মোৰ মা নাইবা মোৰ
ভাই সকলেই বা কোন?" ৪৯ তাৰ পাছত তেওঁ নিজৰ হাত খন মেলি
শিষ্য সকলৰ ফালে দেখুৱাই ক'লে, "এয়া চাওক, এওঁলোকেই মোৰ
মা আৰু মোৰ ভাই সকল! ৫০ কাৰণ, যি কোনোৱে মোৰ স্বৰ্গত থকা
পিতৃৰ ইচ্ছা পালন কৰে, তেওঁলোকেই মোৰ ভাই, ভনী আৰু মা।

**১৩** সেইদিনা যীচুৱে ঘৰৰ পৰা ওলাই সাগৰৰ তীৰত গৈ বহিছিল।
২ তাতে তেওঁৰ চাৰিওফালে বহুতো লোক আহি গোট খোৱাত, তেওঁ
এখন নাৱত উঠি বহিল আৰু সেই গোট খোৱা সকলো মানুহ বামতে
থিয় হৈ থাকিল। ৩ তেতিয়া যীচুৱে তেওঁলোকক দৃষ্টান্তৰ মাধ্যমেদি
বহুত বিষয়ৰ ওপৰত কথা কবলৈ ধৰিলে। তেওঁ ক'লে, "এজন
খেতিয়কে কঠিয়া সিচিঁবলৈ গ'ল। ৪ তেওঁ সিচোঁতে সিচোঁতে, কিছুমান
কঠিয়া বাটৰ কাষত পৰিল; তাতে চৰাইবোৰে আহি সেইবোৰ খুটি
খালে। ৫ কিছুমান কঠিয়া শিলাময় মাটিত পৰিল। তাত মাটি বেছি
নথকাত আৰু মাটিও গভীৰ নোহোৱা কাৰণে যদিও সোনকালে গজালি
ওলাল, ৬ তথাপি সূৰ্য উদয় হোৱাৰ পাছত, শিপা গভীৰ নোহোৱা
কাৰণে তাপ লাগি সেইবোৰ লেৰেলি শুকাই গ'ল। ৭ আন কিছুমান
কাঁইটনিত পৰিল; তাতে কাঁইটীয়া বনবোৰ বাঢ়ি উঠাত, সেইবোৰ

হেচি ধৰি মাৰিলে। ৮ আনবোৰ কঠিয়া ভাল মাটিত পৰিল আৰু শস্য
উৎপন্ন কৰিলে। তাতে কিছুমানত এশ গুণ, কিছুমানত ষাঠি গুণ আৰু
কিছুমানত ত্ৰিশ গুণকৈ শস্য উৎপন্ন হ'ল। ৯ যাৰ কাণ আছে, তেওঁ
শুনক।" ১০ যীচুৰ শিষ্য সকলে আহি তেওঁক সুধিলে, "আপুনি কিয়
দৃষ্টান্তৰ মাধ্যমেৰে লোক সকলৰ আগত কথা কয়?" ১১ উত্তৰত
তেওঁ শিষ্য সকলক ক'লে, "স্বৰ্গৰাজ্যৰ বিষয়বোৰৰ নিগূঢ়-তত্ত্বোৰ
তোমালোকক জানিবলৈ সুযোগ দিয়া হৈছে; কিন্তু তেওঁলোকক দিয়া
হোৱা নাই। ১২ কিয়নো যাৰ আছে, তেওঁক অধিক দিয়া হ'ব, তাতে
তেওঁৰ প্ৰচুৰ হব। কিন্তু যাৰ নাই, তেওঁৰ যি আছে সেইখিনিও তেওঁৰ
পৰা নিয়া হ'ব। ১৩ সেই বাবেই মই তেওঁলোকৰ আগত দৃষ্টান্ত দি কওঁ।
কিয়নো, তেওঁলোকে দেখিও নেদেখে, শুনিও নুশুনে আৰু নুবুজেও।
১৪ এইদৰে যিচয়া ভাৱবাদীয়ে কোৱা এই ভাৱবাণী তেওঁলোকলৈ পূৰ্ণ
হৈছে, 'তোমালোকে শুনোতে শুনিবা, কিন্তু কোনোমতে নুবুজিবা;
দেখোতে দেখিবা, কিন্তু কোনোমতে নাজানিবা; ১৫ কিয়নো এই লোক
সকলৰ হৃদয় অসাৰ হৈছে, আৰু কাণ গধুৰ হৈ গৈছে, তেওঁলোকে
চকুও বন্ধ কৰি ৰাখিছে তাতে তেওঁলোকে চকুৰে নেদেখে, কাণেৰে
নুশুনে, হৃদয়েৰে নুবুজে, আৰু তেওঁলোক যেন পুণৰ ঘূৰি নাহে, আৰু
মই তেওঁলোকক যেন সুস্থ নকৰোঁ'। ১৬ কিন্তু তোমালোকৰ চকু
ধন্য, কিয়নো সেইবোৰে দেখে; তোমালোকৰ কাণো ধন্য, কিয়নো
সেইবোৰে শুনে। ১৭ তোমালোকক মই সঁচাকৈ কওঁ, তোমালোকে
যিবোৰ দেখিছা, সেইবোৰ অনেক ভাৱবাদী আৰু ধাৰ্মিক লোকে
চাবলৈ ইচ্ছা কৰিও দেখা নাপালে, আৰু তোমালোকে যিবোৰ শুনিছা,
এইবোৰ শুনিবলৈ নাপালে।" ১৮ "এতিয়া তোমালোকে সেই কঠিয়া
সিঁচা খেতিয়কৰ দৃষ্টান্তৰ অৰ্থ শুনা। ১৯ যেতিয়া কোনোৱে ঈশ্বৰৰ
ৰাজ্যৰ কথা শুনিও নুবুজে, তেতিয়া দুষ্ট-আত্মাই অৰ্থাৎ চয়তানে আহি,
তেওঁৰ হৃদয়ত যিবোৰ সিঁচা হ'ল, সেইবোৰ কাঢ়ি নিয়ে; এই জন
লোক বাটৰ কাষত পৰা কঠিয়া স্বৰূপ। ২০ শিলাময় মাটিত যি কঠিয়া
পৰিছিল, তেওঁ এনে এজন লোক যি জনে বাক্য শুনে আৰু লগে লগে
আনন্দেৰে সেই বাক্য গ্ৰহণো কৰে। ২১ কিন্তু তেওঁৰ ভিতৰত সেই

বাক্যৰ শিপা গভীৰ নোহোৱাত, তেওঁ অলপ দিনৰ বাবে মাথোন স্থিৰ
হৈ থাকে। যেতিয়া সেই বাক্যৰ কাৰণে দুখ-কষ্ট বা তাড়না আহে,
তেতিয়াই তেওঁ বাক্য ত্যাগ কৰে। ২২ কাঁইটনিত পৰা কঠিয়াবোৰ
এনে ধৰণৰ লোক, তেওঁলোকে বাক্য শুনে কিন্তু সংসাৰৰ চিন্তা-
ভাৱনা আৰু ধন-সম্পত্তিৰ মায়াই সেই বাক্যক হেচি ধৰে; তাতে তেওঁ
বিফল হয়। (aiōn g165) ২৩ ভাল মাটিত যি কঠিয়া পৰিছিল, তেওঁ
এনে লোক যি জনে বাক্য শুনে, বাক্য বুজে আৰু প্ৰকৃতাৰ্থত উন্নত
কৰি ফল উৎপন্ন কৰে। তাতে কোনোৱে এশ গুণ, কোনোৱে ষাঠি
গুণ, কোনোৱে ত্ৰিশ গুণ ফল দিয়ে।” ২৪ এবাৰ যীচুৱে লোক সকলৰ
আগত আৰু এটা দৃষ্টান্ত দিলে। “স্বৰ্গৰাজ্য এজন খেতিয়কৰ নিচিনা,
যি জনে নিজৰ পথাৰত ভাল কঠিয়া সিঁচিলে। ২৫ পাছত যেতিয়া
সকলো মানুহ টোপনি গ’ল, তেতিয়া সেই মানুহ জনৰ শত্ৰুৱে আহি
ধানৰ মাজত বিনৈ বনৰ গুটি সিঁচি গুচি গ’ল। ২৬ শেষত যেতিয়া
সেই ধান গছ বাঢ়ি থোক ওলাল, তেতিয়া তাৰ মাজত বিনৈ বনো
গজালি মেলি দেখা দিলে। ২৭ পাছত সেইবোৰ দেখি গৃহস্থৰ দাস
সকলে আহি তেওঁক ক’লে, ‘মহাশয়, আপুনি জানো পথাৰত ভাল
কঠিয়া সিঁচা নাছিল? তেনেহলে এতিয়া বিনৈ বন ক’ৰ পৰা হ’ল?’ ২৮
তেওঁ সিহঁতক ক’লে, ‘কোনোবা শত্ৰুৱে এইটো কৰিছে।’ দাস সকলে
তেওঁক ক’লে, ‘তেনেহলে আপুনি বিচাৰে যদি আমি গৈ সেইবোৰ
তুলি পেলাম?’ ২৯ গৃহস্থই ক’লে, ‘নহয়, বনবোৰ উভালিবলৈ যাওঁতে
তোমালোকে কিজানি ধানকো তাৰ লগতে উভালি পেলাবা! ৩০
গতিকে শস্য দোৱাৰ সময়লৈকে সেইবোৰক একেলগে বাঢ়িবলৈ
দিয়া। শস্য চপোৱাৰ সময়ত মই দাৱনী সকলক ক’ম, প্ৰথমতে বিনৈ
বনবোৰ উভালিবা আৰু পুৰিবৰ বাবে মুঠি মুঠিকৈ বান্ধিবা। তাৰ পাছত
মোৰ ভঁৰালত ধান চপাই থবা।’” ৩১ যীচুৱে তেওঁলোকক আন এটা
দৃষ্টান্ত দিলে। তেওঁ ক’লে, “স্বৰ্গৰাজ্য এটি সৰিয়হ গুটিৰ নিচিনা; সেই
গুটি কোনো এজন মানুহে লৈ নিজৰ পথাৰত সিঁচিলে। ৩২ সকলো
বীজৰ মাজত ই অৱশ্যে আটাইতকৈ সৰু; কিন্তু বৃদ্ধি পোৱাৰ পাছত
ই শাক-পাচলিৰ গছবোৰৰ মাজত সকলোতকৈ ডাঙৰ হৈ এজোপা

গছ হয় আৰু আকাশৰ চৰায়ে আহি তাৰ ডালত বাস কৰে।” ৩৩
যীচুৱে তেওঁলোকক পুনৰ এটা দৃষ্টান্ত দি ক’লে, “স্বৰ্গৰাজ্য খমিৰৰ
নিচিনা। এগৰাকী মহিলাই তাকে লৈ প্ৰায় তিনি দোণ পিঠাগুড়িৰ লগত
মিহলালে। তাৰ ফলত আটাইখিনি পিঠা গুড়ি ফুলি উঠিল।” ৩৪ যীচুৱে
দৃষ্টান্তৰ দ্বাৰাই লোক সকলৰ আগত এইবোৰ কথা ক’লে। তেওঁ দৃষ্টান্ত
নিদিয়াকৈ তেওঁলোকক একো কথা নক’লে। ৩৫ ভাৱবাদীৰ দ্বাৰাই
যি কথা কোৱা হৈছিল সেয়া যেন পূৰণ হয়, তাৰ বাবেই এইদৰে
ঘটিল - মই দৃষ্টান্তৰে মোৰ মুখ মেলিম, জগত স্থাপনৰ আৰম্ভণিৰে
পৰা যি গুপ্ত আছিল, সেইবোৰ প্ৰকাশ কৰিম। ৩৬ পাছত যীচুৱে
লোক সকলক বিদায় দি ঘৰলৈ আহিল। তেতিয়া তেওঁৰ শিষ্য সকলে
ওচৰলৈ আহি তেওঁক সুধিলে, “পথাৰৰ বিনৈ বনৰ দৃষ্টান্তটো আমাক
বুজাই দিয়ক।” ৩৭ তেওঁ উত্তৰ দি ক’লে, “যি জনে ভাল কঠিয়া সিঁচে,
তেওঁ মানুহৰ পুত্ৰ। ৩৮ পথাৰ খন এই জগত আৰু ভাল কঠিয়া হৈছে
স্বৰ্গৰাজ্যৰ সন্তান সকল। সেই বিনৈ বনবোৰ হৈছে চয়তানৰ সন্তান।
৩৯ যি শত্ৰুৱে সেইবোৰ সিঁচিলে, সি চয়তান; শস্য দোৱাৰ সময়েই
এই জগতৰ শেষ সময় আৰু দাৱনী সকল স্বৰ্গৰ দূত। (aiōn g165) ৪০
এতেকে যেনেকৈ বনবোৰ গোটাই জুইত পোৰা যায়, সেইদৰে জগতৰ
শেষতো হ’ব। (aiōn g165) ৪১ মানুহৰ পুত্ৰই তেওঁৰ দূত সকলক পঠাই
দিব আৰু সেই দূত সকলে পাপলৈ নিয়া সকলো বিঘ্নজনক বিষয়বোৰ
আৰু দুৰাচাৰী লোক সকলক, মানুহৰ পুত্ৰৰ ৰাজ্যৰ মাজৰ পৰা গোটাই
অগ্নিকুণ্ডত পেলাই দিব। ৪২ তেতিয়া তাত ক্ৰন্দন আৰু দাঁত কৰচনি
হব। ৪৩ সেই সময়ত ধাৰ্মিক সকল তেওঁলোকৰ পিতৃৰ ৰাজ্যত সূৰ্যৰ
নিচিনাকৈ উজ্জ্বল হ’ব। যাৰ কাণ আছে, তেওঁ শুনক। ৪৪ “স্বৰ্গৰাজ্য,
পথাৰৰ মাজত লুকুৱাই থোৱা ভঁৰালৰ নিচিনা; এজন মানুহে সেইবোৰ
বিচাৰি পোৱাৰ পাছত পুনৰ লুকুৱাই থলে। তাৰ পাছত তেওঁ আনন্দ
মনেৰে গুছি গ’ল আৰু তেওঁৰ যি যি আছিল, সৰ্ব্বস্ব বেচি সেই পথাৰ
কিনি ল’লে।” ৪৫ “পুণৰ স্বৰ্গৰাজ্য এনে এজন সদাগৰৰ নিচিনা, যি
জনে উত্তম মুকুতা বিচাৰিছিল। ৪৬ যেতিয়া তেওঁ এটা বহুমূলীয়া
মুকুতা বিচাৰি পালে, তেওঁ গৈ নিজৰ যি যি আছিল, সৰ্ব্বস্ব বেচি সেই

মুকুতাটো কিনি ল’লে।” ৪৭ “আকৌ স্বৰ্গৰাজ্য এখন জালৰ নিচিনা।
সেই জাল সাগৰত পেলোৱা হ’ল আৰু সকলো বিধৰ মাছ সেই জালত
উঠিল ৪৮ জাল পৰিপূৰ্ণ হোৱাত মাছমৰীয়া সকলে তাক টানি বামলৈ
তুলিলে। তাৰ পাছত তেওঁলোকে বহি ভাল মাছবোৰ বাছি খালৈত
ৰাখিলে আৰু বেয়াবোৰ পেলাই দিলে। ৪৯ জগতৰ শেষ কালতো
এইদৰেই হ’ব। স্বৰ্গৰ দূত সকলে আহি ধাৰ্মিক সকলৰ মাজৰ পৰা
দুষ্টবোৰক পৃথক কৰিব আৰু জ্বলন্ত অগ্নিত সিহঁতক পেলাব; **(aiōn
g165)** ৫০ তাত ক্ৰন্দন আৰু দাঁত কৰচনি হ’ব।” ৫১ তাৰ পাছত
যীচুৱে শিষ্য সকলক সুধিলে, “তোমালোকে এই সকলো কথা বুজি
পালা নে?” তেওঁলোকে ক’লে, “হয়, পালোঁ।” ৫২ তেতিয়া যীচুৱে
তেওঁলোকক ক’লে, “গতিকে, স্বৰ্গৰাজ্যৰ বিষয়ে শিক্ষা পোৱা প্ৰত্যেক
জন বিধানৰ অধ্যাপক এনে এজন শিষ্যত পৰিণত হয়, যি জনে এজন
গৃহস্থৰ দৰে নিজৰ ভঁৰালৰ পৰা নতুন আৰু পুৰণি উভয় বস্তু বাহিৰলৈ
উলিয়াই।” ৫৩ যীচুৱে এই দৃষ্টান্তবোৰ কোৱাৰ পাছত তাৰ পৰা গুচি
গ’ল। ৫৪ তাৰ পাছত যীচু নিজৰ নগৰলৈ আহিল আৰু লোক সকলক
তেওঁলোকৰ নাম-ঘৰত শিক্ষা দিবলৈ ধৰিলে। তাতে তেওঁৰ কথা শুনি
তেওঁলোক বিস্মিত হৈ গ’ল। তেওঁলোকে ক’লে, “এই মানুহ জনে এনে
জ্ঞান আৰু পৰাক্ৰম কাৰ্যবোৰ কৰাৰ ক্ষমতা ক’ৰ পৰা পালে? ৫৫
ই জানো সেই বাঢ়ৈৰ পুতেক নহয়? ইয়াৰ মাকৰ নাম মৰিয়ম আৰু
ভায়েকহঁতৰ নাম যাকোব, যোচেফ, চিমোন, আৰু যিহূদা নহয় নে?
৫৬ ইয়াৰ সকলো ভনীয়েকো ইয়াত আমাৰ মাজতে নাই জানো?
তেনেহলে ই এইবোৰ ক’ৰ পৰা পালে?” ৫৭ এইদৰে যীচুক লৈ লোক
সকলে বিঘিনি পালে। তেতিয়া যীচুৱে তেওঁলোকক ক’লে, “ভাৱবাদী
নিজৰ দেশ আৰু নিজৰ ঘৰৰ বাহিৰে আন কোনো ঠাইতে অসন্মানিত
নহয়।” ৫৮ লোক সকলৰ অবিশ্বাসৰ কাৰণে তেওঁ তাত বিশেষ বেছি
পৰাক্ৰম কাৰ্য নকৰিলে।

**১৪** সেই সময়ত গালীলৰ শাসনকৰ্তা হেৰোদে যীচুৰ সুখ্যাতিৰ
বিষয়ে শুনিলে। ২ তেওঁ নিজৰ দাস সকলক ক’লে, “এই লোক জন
নিশ্চয় যোহন বাপ্তাইজক; তেওঁ মৃত সকলৰ মাজৰ পৰা উঠিল আৰু

সেই বাবে এই সকলো পৰাক্ৰম কাৰ্য সাধন কৰিছে। ৩ কিয়নো
হেৰোদে লোক সকলৰ দ্বাৰাই যোহনক বান্ধি কাৰাগাৰত বন্দী কৰি
ৰাখিছিল। তেওঁ নিজৰ ভায়েক ফিলিপৰ ভাৰ্যা হেৰোদিয়াক ভাৰ্যা
ৰাখিছিল আৰু তেওঁৰ কাৰণে এইদৰে বন্দী কৰিছিল। ৪ কাৰণ যোহনে
হেৰোদক কৈছিল, “হেৰোদিয়াক আপুনি ভাৰ্যা হিচাপে ৰখা বিধান
সন্মত নহয়।” ৫ সেয়ে হেৰোদে যোহনক বধ কৰিবলৈ চল বিচাৰি
আছিল, কিন্তু তেওঁ লোক সকললৈ ভয় কৰিছিল, কাৰণ তেওঁলোকে
যোহনক এজন ভাববাদীৰূপে মান্য কৰিছিল। ৬ পাছত হেৰোদৰ জন্ম
দিনৰ দিনা, হেৰোদিয়াৰ জীয়েকে সভাৰ মাজত নাচি হেৰোদক সন্তুষ্ট
কৰিলে। ৭ সেয়েহে, হেৰোদে তাইক শপত খাই প্ৰতিজ্ঞা কৰিলে যে,
তাই যিহকে বিচাৰিব তাকে তেওঁ তাইক দিব। ৮ ছোৱালী জনীয়ে
মাকৰ পৰা পৰামৰ্শ পাই ক’লে, “এখন থালত বাপ্তাইজক যোহনৰ
মূৰটো আনি মোক দিয়ক।” ৯ তাতে ৰজা অতিশয় দুঃখিত হ’ল;
কিন্তু নিজৰ শপতৰ কাৰণে আৰু তেওঁৰে সৈতে একেলগে ভোজনত
বহা সকলৰ কাৰণেও, তেওঁ সেই মতে কৰিবলৈ আজ্ঞা দিলে। ১০
তেওঁ মানুহ পঠাই কাৰাগাৰত যোহনৰ শিৰচ্ছেদ কৰালে। ১১ পাছত
মূৰটো এখন থালত আনি ছোৱালী জনীক দিলে আৰু তাই সেইটো
মাকৰ ওচৰলৈ লৈ গ’ল। ১২ তাৰ পাছত যোহনৰ শিষ্য সকলে আহি
মৃতদেহটো লৈ গৈ মৈদাম দিলে আৰু পাছত তেওঁলোকে গৈ সেই
সকলো কথা যীচুক জনালে। ১৩ যোহনৰ মৃত্যুৰ কথা শুনি যীচু অকলে
এখন নাৱত উঠি সেই ঠাইৰ পৰা কোনো এক নিৰ্জন ঠাইলৈ গ’ল।
কিন্তু লোক সকলে ইয়াকে জানিব পাৰি বিভিন্ন নগৰৰ পৰা ওলাই
বামেদি খোজকাঢ়ি তেওঁৰ পাছ ল’লে। ১৪ তেওঁ নাৱৰ পৰা নামি
মানুহৰ বৃহৎ দলটো দেখা পাই তেওঁলোকৰ আগলৈ আহিল। তাতে
সেই লোক সকললৈ যীচুৰ মৰম লগাত তেওঁলোকৰ ৰোগবোৰ সুস্থ
কৰিলে। ১৫ তেতিয়া গধূলি হবলৈ ধৰিছিল, শিষ্য সকলে তেওঁৰ
ওচৰলৈ আহি ক’লে, “এই ঠাই নিৰ্জন আৰু দিনৰ সময়ো প্ৰায় শেষ
হ’ল; লোক সকলক বিদায় দিয়ক, তেতিয়া তেওঁলোকে গাওঁবোৰলৈ
গৈ নিজৰ কাৰণে খোৱা বস্তু কিনিব পাৰিব।” ১৬ যীচুৱে তেওঁলোকক

ক'লে, "তেওঁলোক যোৱাৰ প্ৰয়োজন নাই। তোমালোকেই তেওঁলোকক
খাবলৈ দিয়া।" ১৭ শিষ্য সকলে তেওঁক ক'লে, "আমাৰ ইয়াত কেৱল
পাঁচটা পিঠা আৰু দুটা মাছহে আছে।" ১৮ যীচুৱে ক'লে, "সেইখিনিয়ে
মোৰ ওচৰলৈ আনা।" ১৯ পাছত তেওঁ লোক সকলক বনৰ ওপৰত
বহিবলৈ আদেশ দিলে। তাৰ পাছত সেই পাঁচোটা পিঠা আৰু দুটা
মাছ লৈ তেওঁ স্বৰ্গলৈ চাই আশীৰ্বাদ কৰিলে। তাৰ পাছত পিঠা খিনি
ভাঙি শিষ্য সকলক দিলে আৰু শিষ্য সকলে সেইবোৰ লোক সকলক
খাবলৈ দিলে। ২০ তাতে সকলোৱে খাই তৃপ্ত হ'ল; খোৱাৰ পাছত
শিষ্য সকলে বৈ যোৱা সেই ভঙা টুকুৰাবোৰৰ বাৰটা পাচি তুলি ল'লে।
২১ তাত ভোজন কৰা মানুহৰ মাজত মহিলা আৰু সৰু ল'ৰা-ছোৱালীক
বাদ দি পুৰুষ মানুহ প্ৰায় পাঁচ হাজাৰ মান আছিল। ২২ ইয়াৰ পাছতে,
যীচুৱে শিষ্য সকলক আদেশ দিলে, তেওঁলোকে যেন নাৱত উঠি
তেওঁৰ আগেয়ে সিপাৰলৈ যায় আৰু লোক সকলক তেওঁ নিজে বিদায়
দিলে। ২৩ লোক সকলক বিদায় দি তেওঁ প্ৰাৰ্থনা কৰিবৰ কাৰণে
পাহাৰৰ ওপৰলৈ অকলে উঠি গ'ল; আৰু যদিও তেতিয়া অন্ধকাৰ হৈ
আহিছিল, তথাপি তেওঁ অকলশৰে তাতে আছিল। ২৪ ইতিমধ্যে নাও
খনে মাটি ভাগৰ পৰা আহি সাগৰৰ মাজ পালে আৰু বিপৰীত দিশৰ
পৰা বতাহ বলাত নাও খনে প্ৰায় নিয়ন্ত্ৰণ হেৰুৱাই ঢৌৰ কোবত ঢলং-
পলং হবলৈ ধৰিলে। ২৫ শেষ নিশা যীচু সাগৰৰ ওপৰত খোজকাঢ়ি
শিষ্য সকলৰ ওচৰলৈ আহি আছিল। ২৬ শিষ্য সকলে যীচুক সাগৰৰ
ওপৰত খোজকাঢ়ি আহি থকা দেখি ভীষণভাৱে ভয় খাই "ভূত, ভূত"
বুলি চিঞৰিবলৈ ধৰিলে। ২৭ যীচুৱে তেতিয়াই তেওঁলোকক ক'লে,
"এয়া মইহে; ভয় নকৰিবা, সাহসী হোৱা।" ২৮ পিতৰে তেওঁক উত্তৰ
দি ক'লে, "হে প্ৰভু, যদি আপুনিয়ে হয়, তেনেহলে পানীৰ ওপৰেদি
আপোনাৰ ওচৰলৈ যাবৰ বাবে মোক আজ্ঞা দিয়ক।" ২৯ যীচুৱে ক'লে,
"আহা।" পিতৰে তেতিয়া নাৱৰ পৰা নামি পানীৰ ওপৰেদি খোজকাঢ়ি
যীচুৰ কাষলৈ আগবাঢ়ি গ'ল। ৩০ কিন্তু বতাহ দেখা পাই তেওঁ ভয়
খোৱাত ডুবিবলৈ ধৰিলে। তেতিয়া তেওঁ চিঞৰি মাতিলে, "প্ৰভু, মোক
বচাওঁক।" ৩১ যীচুৱে তেতিয়াই নিজে হাত মেলি তেওঁক ধৰি ক'লে,

“অল্পবিশ্বাসী, কিয় সন্দেহ কৰিলা?” ৩২ পাছত যেতিয়া যীচু আৰু
পিতৰ নাৱত উঠিল, বতাহ নাইকিয়া হ’ল। ৩৩ তেতিয়া নাৱত থকা
শিষ্য সকলে যীচুক প্ৰণিপাত কৰি ক’লে, “আপুনি সঁচাকৈয়ে ঈশ্বৰৰ
পুত্ৰ।” ৩৪ তাৰ পাছত তেওঁলোক পাৰ হৈ, গিনেচৰৎ নামৰ প্ৰদেশ
পালে। ৩৫ তাতে সেই ঠাইৰ মানুহবোৰে যীচুক চিনি পোৱাত, সেই
অঞ্চলৰ সকলো ঠাইতে তেওঁ অহাৰ বাৰ্তা পঠিয়াই দিলে। তাতে লোক
সকলে ৰোগী সকলক যীচুৰ ওচৰলৈ আনিলে। ৩৬ তেওঁলোকে যীচুক
মিনতি কৰিলে যেন সেই ৰোগী সকলে তেওঁৰ কাপোৰৰ দহি মাথোন
চুবলৈ পায়। তাতে যিমান লোকে চুলে, তেওঁলোক সকলোৰে সুস্থ
হ’ল।

**১৫** সেই সময়ত যিৰূচালেমৰ পৰা কেইজনমান ফৰীচী আৰু বিধানৰ
অধ্যাপক যীচুৰ ওচৰলৈ আহি সুধিলে, ২ “আমাৰ পৰিচাৰক সকলৰ
দিনৰ পৰা চলি অহা বিধান, আপোনাৰ শিষ্য সকলে কিয় মানি নচলে?
কিয়নো তেওঁলোকে ভোজন কৰাৰ আগত হাতো নোধোৱে।” ৩
যীচুৱে উত্তৰ দি তেওঁলোকক ক’লে, “আপোনালোকৰ পৰম্পৰাগত
বিধান পালনৰ কাৰণে আপোনালোকে কিয় ঈশ্বৰৰ আজ্ঞা উলঙ্ঘন
কৰে?” ৪ কাৰণ ঈশ্বৰে কৈছে, ‘তোমাৰ পিতৃ-মাতৃক সন্মান কৰা’;
আৰু ‘যি কোনোৱে নিজৰ পিতৃ-মাতৃক কুবচন কয়, তেওঁৰ মৃত্যুদণ্ড
হব।’ ৫ কিন্তু আপোনালোকে কয়, ‘যি কোনোৱে নিজৰ পিতৃ বা মাতৃক
কয়, “মোৰ যি যি বস্তু আপোনালোকৰ সহায় হব পাৰে, সেইবোৰ
মই ঈশ্বৰক উপহাৰ দিলোঁ।” ৬ তেনেহলে পিতৃ-মাতৃৰ প্ৰতি তেওঁ
কোনো সন্মান কৰাৰ প্ৰয়োজন নাই। এইদৰে আপোনালোকৰ পুৰুষে
পুৰুষে চলি অহা বিধানৰ কাৰণেই আপোনালোকে ঈশ্বৰৰ বাক্য
মূল্যহীন কৰিছে। ৭ আপোনালোক কপটীয়া! যিচয়া ভাৱবাদীয়ে
আপোনালোকৰ বিষয়ে ঠিকেই ভাববাণী কৰিলে, ৮ “এই মানুহবোৰে
ওঠেৰে মোক সন্মান কৰে, কিন্তু তেওঁলোকৰ হৃদয় মোৰ পৰা দূৰৈত
থাকে; ৯ তেওঁলোকে অনৰ্থকৰূপে মোৰ আৰাধনা কৰে। কাৰণ
তেওঁলোকে মানুহৰ ৰীতি নীতিবোৰ, আজ্ঞাৰ দৰে শিকায়।” ১০ তাৰ
পাছত যীচুৱে লোক সকলক ওচৰলৈ মাতি ক’লে, “মোৰ কথা শুনক

আৰু বুজক। ১১ মুখত যি সোমায়, সেয়ে মানুহক অশুচি নকৰে, কিন্তু
মুখৰ পৰা যি ওলায়, সেয়েহে মানুহক অশুচি কৰে।" ১২ তেতিয়া শিষ্য
সকলে আহি যীচুক ক'লে, "ফৰীচী সকলে যে আপোনাৰ এই কথা
শুনি অপমান বোধ কৰিছে, ইয়াক আপুনি জানে নে?" ১৩ যীচুৱে
উত্তৰ দি ক'লে, "যিবোৰ গছপুলি মোৰ স্বৰ্গীয় পিতৃয়ে ৰোৱা নাই, তাক
উভালি পেলোৱা যাব। ১৪ তেওঁলোকৰ কথা এৰি দিয়া; তেওঁলোক
অন্ধ পথ প্ৰদৰ্শক। অন্ধই অন্ধক বাট দেখুৱালে, দুয়ো খাৱৈত পৰিব।"
১৫ তেতিয়া পিতৰে যীচুক ক'লে, "এই দৃষ্টান্তটিৰ অৰ্থ আমাক বুজাই
দিয়ক।" ১৬ তেওঁ ক'লে, "তোমালোকে এতিয়াও বুজি পোৱা নাই নে?
১৭ তোমালোকে এই কথাও নুবুজা নে- মুখত যি সোমায়, সেয়ে পেটৰ
ভিতৰলৈ যায় আৰু শৌচৰ দ্বাৰেদি বাহিৰলৈ ওলায়। ১৮ কিন্তু মুখৰ
পৰা যিবোৰ ওলায়, সেইবোৰ মানুহৰ হৃদয়ৰ পৰা বাহিৰলৈ ওলায়
আৰু সেইবোৰেই মানুহক অশুচি কৰে। ১৯ কিয়নো মানুহৰ মনৰ
পৰাই সকলো কুচিন্তা, নৰ-বধ, ব্যভিচাৰ, যৌনপাপ, চুৰি, মিছা সাক্ষ্য
আৰু নিন্দা এইবোৰ ওলায়। ২০ এইবোৰেহে মানুহক অশুচি কৰে;
কিন্তু নোধোৱা হাতেৰে ভোজন কৰিলে মানুহ অশুচি নহয়।" ২১ তাৰ
পাছত যীচুৱে সেই ঠাই এৰি তুৰ আৰু চীদোন অঞ্চললৈ গ'ল। ২২
সেই ঠাইৰ এগৰাকী কনান দেশীয় মহিলাই আহি চিঞৰি চিঞৰি
কবলৈ ধৰিলে "হে প্ৰভু, দায়ুদৰ বংশৰ সন্তান, মোলৈ দয়া কৰক।
ভূতে পোৱাৰ বাবে মোৰ ছোৱালী জনীয়ে অতিশয় যন্ত্ৰণা পাই আছে।"
২৩ কিন্তু যীচুৱে তেওঁক একো উত্তৰ নিদিলে। শিষ্য সকলে তেওঁৰ
ওচৰলৈ আহি অনুৰোধ কৰি ক'লে, "তাইক বিদায় দিয়ক; কিয়নো
তাই চিঞৰি চিঞৰি আমাৰ পাছে পাছে আহি আছে।" ২৪ কিন্তু যীচুৱে
উত্তৰ দি ক'লে, "মোক আন কোনো মানুহৰ ওচৰলৈ পঠোৱা নাই,
কেৱল ইস্ৰায়েল-বংশৰ হেৰোৱা মেৰৰ ওচৰলৈহে পঠোৱা হৈছে।"
২৫ তাতে মহিলা গৰাকীয়ে আহি যীচুক প্ৰণিপাত কৰি ক'লে, "হে
প্ৰভু, মোলৈ দয়া কৰক।" ২৬ কিন্তু যীচুৱে উত্তৰ দি ক'লে, "ল'ৰা-
ছোৱালীৰ খোৱা বস্তুবোৰ কুকুৰৰ আগত পেলাই দিয়া উচিত নহয়।"
২৭ তাই ক'লে, "হয় প্ৰভু, কিন্তু গৰাকীৰ মেজৰ পৰা উফৰি পৰাবোৰ

কুকুৰে খাবলৈ পায়।" ২৮ তেতিয়া যীচুৱে উত্তৰ দিলে, "হে নাৰী,
তোমাৰ বিশ্বাস মহৎ; তোমাৰ ইচ্ছাৰ দৰেই তোমালৈ হওক।" তাতে
সেই মুহূৰ্ত্তৰে পৰা মহিলা গৰাকীৰ জীয়েক সুস্থ হ'ল। ২৯ তাৰ পাছত
যীচুৱে সেই ঠাইৰ পৰা গালীল সাগৰৰ ওচৰলৈ গ'ল। তাতে তেওঁ গৈ
এটা পাহাৰৰ ওপৰত উঠি বহিল। ৩০ তেতিয়া বহু মানুহৰ দল এটা
তেওঁৰ ওচৰলৈ আহিল; তেওঁলোকে খোৰা, অন্ধ, বোবা, কোঙা আৰু
অনেক ৰোগীক যীচুৰ চৰণলৈ আনিলে আৰু যীচুৱে তেওঁলোকক সুস্থ
কৰিলে। ৩১ তাতে সেই লোক সকলে বোবাক কথা কোৱা, কোঙাক
সুস্থ হোৱা, খোৰাক খোজ কঢ়া আৰু অন্ধক দৃষ্টি পোৱা দেখি বিস্ময়
মানি ইস্রায়েলৰ ঈশ্বৰৰ স্তুতি কৰিলে। ৩২ পাছত যীচুৱে তেওঁৰ শিষ্য
সকলক ওচৰলৈ মাতি ক'লে, "এই লোক সকললৈ মোৰ মৰম লাগিছে;
কিয়নো তেওঁলোক মোৰ লগত তিনি দিন ধৰি আছে আৰু তেওঁলোকৰ
লগত একো খোৱা বস্তু নাই। তেওঁলোকক লঘোনে বিদায় দিবলৈ মোৰ
ইচ্ছা নাই; হয়তো বাটত অসুস্থ হৈ পৰিব পাৰে।" ৩৩ তেতিয়া শিষ্য
সকলে তেওঁক ক'লে, "এনেকুৱা এক নিৰ্জন ঠাইত ইমানবোৰ মানুহক
খুৱাবৰ বাবে আমি ইমান পিঠা ক'ত পাম?" ৩৪ যীচুৱে তেওঁলোকক
সুধিলে, "তোমালোকৰ ওচৰত কেইটা পিঠা আছে?" তেওঁলোকে
ক'লে, "সাতটা পিঠা আৰু কেইটামান সৰু মাছ আছে।" ৩৫ তেতিয়া
যীচুৱে লোক সকলক মাটিত বহিবলৈ আজ্ঞা দিলে। ৩৬ তেওঁ সেই
সাতোটা পিঠা আৰু মাছকেইটা ললে। তাৰ পাছত ঈশ্বৰক ধন্যবাদ দি
সেইবোৰ ভাঙি শিষ্য সকলক দিলে আৰু শিষ্য সকলে খাবৰ বাবে
লোক সকলক ভগাই দিলে। ৩৭ তাতে সকলোৱে খাই তৃপ্ত হ'ল আৰু
যি টুকুৰাবোৰ পৰি থাকিল শিষ্য সকলে সেইবোৰ গোটাই সাতটা পাচি
পূৰ কৰিলে। ৩৮ যি সকলে খাইছিল সেই সকলৰ মাজত মহিলা আৰু
সৰু ল'ৰা-ছোৱালীৰ উপৰি চাৰি হাজাৰ পুৰুষ আছিল। ৩৯ তাৰ পাছত
যীচুৱে লোক সকলক বিদায় দি নাৱত উঠি মগদনৰ অঞ্চললৈ গ'ল।

**১৬** ফৰীচী আৰু চদ্দূকী সকলে যীচুক পৰীক্ষা কৰিবৰ কাৰণে তেওঁৰ
ওচৰলৈ আহিল আৰু আকাশৰ পৰা কোনো এটা পৰাক্ৰম কাৰ্যৰ চিন
তেওঁলোকক দেখুৱাবলৈ ক'লে। ২ যীচুৱে উত্তৰ দি তেওঁলোকক

ক’লে, “সন্ধিয়া হলে আপোনালোকে কয়, ‘বতৰ ফৰকাল হব, কিয়নো
আকাশ খন ৰঙা হৈছে।’ ৩ ৰাতিপুৱা কয়, ‘আজি ডাৱঁৰীয়া হব;
কিয়নো আকাশ ৰঙা ও অন্ধকাৰ হৈছে।’ আপোনালোকে আকাশৰ
অৱস্থাৰ প্ৰভেদ বিচাৰ কৰিব জানে, অথচ সময়ৰ চিন বুজিব নোৱাৰে।
৪ এই যুগৰ পাপী আৰু ব্যভিচাৰীলোক সকলে পৰাক্ৰম কাৰ্যৰ চিন
বিচাৰে৷ কিন্তু যোনাৰ চিনৰ বাহিৰে তেওঁলোকক আন একো চিন
দেখুওৱা নহ’ব।” তাৰ পাছত যীচুৱে তেওঁলোকক এৰি গুচি গ’ল।
৫ পাছত তেওঁৰ শিষ্য সকল সিপাৰলৈ আহিল, কিন্তু লগত পিঠা
আনিবলৈ পাহৰি গ’ল। ৬ যীচুৱে তেওঁলোকক ক’লে, “তোমালোকে
শুনা! ফৰীচী আৰু চদ্দূকী সকলৰ খমিৰৰ পৰা সাৱধানে থাকিবা।” ৭
শিষ্য সকলে নিজৰ মাজত কোৱা-কুই কৰিলে, “আমি পিঠা অনা নাই
কাৰণে তেওঁ এইদৰে ক’লে নেকি৷” ৮ এই কথা বুজিব পাৰি যীচুৱে
ক’লে, “অল্পবিশ্বাসী সকল, তোমালোকে নিজৰ মাজত পিঠা লৈ নহাৰ
কাৰণে এই কথা কৈছোঁ বুলি কিয় আলোচনা কৰিছা? ৯ তোমালোকে
এতিয়াও বুজা নাই নে বা তোমালোকৰ মনতো পৰা নাই নে সেই
পাঁচ হাজাৰ মানুহৰ কাৰণে পাঁচটা পিঠাৰ কথা আৰু তাৰ পাছত
কেইটা পাচি তোমালোকে তুলি লৈছিলা? ১০ নাইবা সেই চাৰি হাজাৰ
মানুহৰ কাৰণে সাতটা পিঠাৰ কথা আৰু কেইটা পাচি তোমালোকে
তুলি লৈছিলা? ১১ মই যে তোমালোকক পিঠাৰ কথা কোৱা নাই, সেই
বিষয়ে তোমালোকে কিয় বুজি পোৱা নাই? কিন্তু ফৰীচী আৰু চদ্দূকী
সকলৰ খমিৰৰ পৰা সাৱধান হবলৈহে কৈছোঁ।” ১২ তেতিয়া শিষ্য
সকলে বুজি পালে যে, তেওঁ পিঠাৰ খমিৰৰ পৰা তেওঁলোকক সাৱধান
হবলৈ কোৱা নাই, কিন্তু ফৰীচী আৰু চদ্দূকী সকলৰ শিক্ষাৰ পৰাহে
সাৱধান হ’বৰ বাবে কৈছে। ১৩ তাৰ পাছত যীচু যেতিয়া চীজাৰিয়া-
ফিলিপীৰ অঞ্চললৈ গ’ল, তেতিয়া শিষ্য সকলক তেওঁ সুধিলে “মানুহৰ
পুত্ৰ কোন”এই বিষয়ে লোক সকলে কি বুলি কয়? ১৪ তেওঁলোকে
ক’লে, “কোনো কোনোৱে কয় বাপ্তিস্ম দিওঁতা যোহন; কোনোৱে
এলিয়া, আন কোনোৱে যিৰিমিয়া বা ভাৱবাদী সকলৰ এজন বুলি
কয়৷” ১৫ তেতিয়া তেওঁ তেওঁলোকক সুধিলে, “কিন্তু তোমালোকে নো

মোক কোন বুলি ভাবা?” ১৬ তেতিয়া চিমোন পিতৰে উত্তৰ দি কলে,
“আপুনি সেই অভিষিক্ত জন অৰ্থাৎ খ্ৰীষ্ট, জীৱন্ত ঈশ্বৰৰ পুত্ৰ।” ১৭
তেতিয়া যীচুৱে উত্তৰ দি তেওঁক ক’লে, “বাৰ যোনাৰ পুত্ৰ চিমোন,
তুমি ধন্য; কিয়নো তেজ আৰু মাংসই তোমাৰ আগত এই কথা প্ৰকাশ
কৰা নাই, কিন্তু স্বৰ্গত থকা মোৰ পিতৃয়েহে প্ৰকাশ কৰিলে। ১৮ মযো
তোমাক কওঁ যে ‘তুমি পিতৰ অৰ্থাৎ শিল’, আৰু এই শিলৰ ওপৰত
মই মোৰ মণ্ডলী স্থাপন কৰিম, মৃত্যুৰ কোনো শক্তিয়েইয়াক পৰাজয়
কৰিব নোৱাৰিব। **(Hadēs g86)** ১৯ মই তোমাক স্বৰ্গৰাজ্যৰ চাবিবোৰ
দিম, তাতে তুমি এই পৃথিৱীত যিহকে বান্ধিবা, সেয়ে স্বৰ্গতো বান্ধি
ৰখা হ’ব; আৰু তুমি পৃথিৱীত যিহকে মুকলি কৰিবা, সেয়ে স্বৰ্গতো
মুকলি হবলৈ দিয়া হ’ব।” ২০ তেতিয়া যীচুৱে শিষ্য সকলক এই
আজ্ঞা দিলে, তেওঁলোকে যাতে কাকো নকয় যে তেৱেঁই “খ্ৰীষ্ট, অৰ্থাৎ
অভিষিক্ত জন”। ২১ সেই সময়ৰ পৰা যীচুৱে তেওঁৰ শিষ্য সকলক
জনাবলৈ ধৰিলে যে, তেওঁ অৱশ্যেই যিৰূচালেমলৈ যাব লাগিব, আৰু
তাত পৰিচাৰক, প্ৰধান পুৰোহিত আৰু বিধানৰ অধ্যাপক সকলৰ পৰা
অনেক দুখভোগ পাই মৃত্যুভোগ কৰি তিন দিনৰ দিনা পুনৰায় উঠিব
লাগিব। ২২ তেতিয়া পিতৰে তেওঁক একাষলৈ নি অনুযোগ কৰি ক’লে
“হে প্ৰভু, ই আপোনাৰ পৰা দূৰ হওক! আপোনাৰ প্ৰতি কেতিয়াও এনে
নঘটক।” ২৩ কিন্তু যীচুৱে পিতৰৰ ফালে ঘূৰি চাই তেওঁ ক’লে, “মোৰ
আগৰ পৰা দূৰ হ চয়তান; তই মোৰ পথৰ বিঘিনি স্বৰূপ, তই ঈশ্বৰৰ
কথা নাভাবি, মানুহৰ কথাহে ভাবিছ।” ২৪ তাৰ পাছত যীচুৱে তেওঁৰ
শিষ্য সকলক ক’লে, “কোনোৱে যদি মোৰ পাছত আহিবলৈ ইচ্ছা কৰে,
তেনেহলে তেওঁ নিজকে অস্বীকাৰ কৰক আৰু নিজৰ ক্ৰুচ তুলি লৈ,
মোক অনুসৰণ কৰক। ২৫ কিয়নো যি কোনোৱে নিজৰ জীৱন ৰক্ষা
কৰিব খোজে, তেওঁ তাক হেৰুৱাব; কিন্তু যি কোনোৱে মোৰ কাৰণে
নিজৰ জীৱন হেৰুৱায়, তেওঁ সেই জীৱন পাব। ২৬ কাৰণ কোনো
মানুহে গোটেই খন জগত পায়ো যদি নিজৰ জীৱনকে হানি কৰে,
তেনেহলে তেওঁৰ কি লাভ? মানুহে নিজৰ প্ৰাণৰ সলনি কি দিব পাৰে?
২৭ কিয়নো মানুহৰ পুত্ৰই নিজৰ পিতৃৰ প্ৰতাপেৰে স্বৰ্গৰ দূত সকলক

লগত লৈ আহিব৷ তেতিয়া তেওঁ প্ৰতিজনক নিজৰ কৰ্ম অনুসাৰে ফল
দিব।" ২৮ মই তোমালোকক স্বৰূপকৈ কওঁ, তোমালোকৰ মাজত এনে
কিছুমান লোক ইয়াত থিয় হৈ আছে, যি সকলে মানুহৰ পুত্ৰক নিজৰ
ৰাজ্যলৈ অহা নেদেখা পৰ্যন্ত মৃত্যুভোগ নকৰে।"

**১৭** ছয় দিনৰ পাছত যীচুৱে পিতৰ, যাকোব আৰু তেওঁৰ ভায়েক
যোহনক লগত লৈ এটা ওখ পাহাৰৰ ওপৰলৈ উঠি গ'ল। ২ যীচুৱে
তেওঁলোকৰ সন্মুখত অন্যৰূপ ধৰিলে; তেওঁৰ মুখ সূৰ্যৰ দৰে দীপ্তিমান
আৰু বস্ত্ৰ পোহৰৰ নিচিনা শুক্ল হৈ গ'ল। ৩ তেতিয়া হঠাৎ মোচি আৰু
এলিয়াই তেওঁলোকৰ কাষত উপস্থিত হৈ যীচুৰ লগত কথোপকথন
কৰিলে। ৪ তাতে পিতৰে মাত লগাই যীচুক ক'লে, "প্ৰভু, ভালেই হৈছে
যে, আমি ইয়াত আছোঁ৷ আপোনাৰ ইচ্ছা হ'লে, মই ইয়াত তিনিটা
পঁজা সাজিম - এটা আপোনাৰ, এটা মোচিৰ আৰু এটা এলিয়াৰ
কাৰণে।" ৫ তেওঁ যেতিয়া কথা কৈ আছিল, সেই সময়ত এচপৰা
উজ্জ্বল মেঘে তেওঁলোকক ঢাকি ধৰিলে৷ সেই মেঘৰ পৰা এই বাণী
শুনা গ'ল, "এওঁ মোৰ প্ৰিয় পুত্ৰ, এওঁত মই পৰম সন্তুষ্ট, এওঁৰ কথা
শুনা।" ৬ এই কথা শুনি শিষ্য সকলে অতিশয় ভয় পাই মাটিত
উবুৰি খাই পৰিল। ৭ তেতিয়া যীচুৱে ওচৰলৈ আহি তেওঁলোকক
স্পৰ্শ কৰি ক'লে, "উঠা, ভয় নকৰিবা।" ৮ তাৰ পাছত তেওঁলোকে
চকু তুলি চাই যীচুৰ বাহিৰে আন কাকো দেখা নাপালে। ৯ পাছত
তেওঁলোক পৰ্বতৰ পৰা নামি আহি থাকোতে, যীচুৱে তেওঁলোকক
আজ্ঞা দি ক'লে, "মানুহৰ পুত্ৰ মৃত লোকৰ মাজৰ পৰা উত্থান নোহোৱা
পৰ্যন্ত তোমালোকে এই দৰ্শনৰ কথা কাকো নকবা।" ১০ তেওঁৰ
শিষ্য সকলে তেওঁক সুধিলে, "তেনেহলে এলিয়া প্ৰথমে আহিব লাগে
বুলি বিধানৰ অধ্যাপক সকলে কিয় কয়?" ১১ তেওঁ উত্তৰ দি ক'লে,
"এলিয়া অৱশ্যেই আহিব আৰু তেওঁ সকলো পুনঃস্থাপন কৰিব৷ ১২
কিন্তু মই তোমালোকক কওঁ, এলিয়া ইতিমধ্যেই আহি গ'ল আৰু
লোক সকলে তেওঁক চিনি নাপালে; লোক সকলে তেওঁৰ প্ৰতি যি
ইচ্ছা তাকে কৰিলে। এইদৰে মানুহৰ পুত্ৰয়ো তেওঁলোকৰ হাতত
দুখভোগ কৰিব লাগিব।" ১৩ তেতিয়া শিষ্য সকলে বুজি পালে যে,

তেওঁ বাপ্তিস্ম দিয়া যোহনৰ বিষয়ে তেওঁলোকক কৈ আছে। ১৪ যীচু
আৰু তেওঁৰ শিষ্য সকল যেতিয়া লোক সকলৰ ওচৰলৈ ঘূৰি আহিল,
তেতিয়া এজন মানুহ যীচুৰ ওচৰলৈ আহি, তেওঁৰ আগত আঁঠুকাঢ়ি
ক'লে, ১৫ "হে প্ৰভু, আপুনি মোৰ পুত্ৰলৈ দয়া কৰক৷ সি মৃগী ৰোগত
আক্ৰান্ত হৈ বৰ কষ্ট পাই আছে৷ সি বাৰে বাৰে হয় জুই অথবা পানীত
পৰি যায়৷ ১৬ মই আপোনাৰ শিষ্য সকলৰ ওচৰলৈ আনিছিলো,
কিন্তু তেওঁলোকে তেওঁক সুস্থ কৰিব নোৱাৰিলে।" ১৭ তেতিয়া যীচুৱে
উত্তৰ দি ক'লে, "তোমালোক অবিশ্বাসী আৰু অপথে যোৱা বংশ; আৰু
কিমান কাল মই তোমালোকৰ লগে লগে থাকিম? কিমান দিন নো মই
তোমালোকক সহিম? লৰাটিক মোৰ ওচৰলৈ আনা।" ১৮ তেতিয়া
যীচুৱে সেই ভূতৰ আত্মাক ডবিয়াই দিয়াত, সি লৰাটোৰ পৰা ওলাই
গ'ল আৰু সেই মুহুৰ্তৰে পৰা ল'ৰাটো সুস্থ হ'ল। ১৯ তাৰ পাছত শিষ্য
সকলে নিৰলে যীচুৰ ওচৰলৈ আহি সুধিলে, "আমি নো তাক কিয়
খেদাব নোৱাৰিলো?" ২০ যীচুৱে তেওঁলোকক ক'লে, "তোমালোকৰ
অল্প-বিশ্বাসৰ কাৰণে; কিয়নো মই তোমালোকক স্বৰূপকৈ কওঁ, এটি
সৰিয়হ গুটিৰ সমানো যদি তোমালোকৰ বিশ্বাস থাকে, তেনেহলে এই
পৰ্বতটোক যদি তোমালোকে কোৱা 'ইয়াৰ পৰা তালৈ যা' তেতিয়া ই
যাব৷ তোমালোকৰ বাবে একোৱেই অসাধ্য নহব। ২১ প্ৰাৰ্থনা আৰু
লঘোনৰ বিনে এই ধৰণৰ দুষ্ট আত্মা কোনোমতে বাহিৰ নহয়।" ২২
পাছত যীচু আৰু তেওঁৰ শিষ্য সকল গালীল প্ৰদেশত থকা সময়ত
যীচুৱে তেওঁৰ শিষ্য সকলক ক'লে, "মানুহৰ পুত্ৰক লোক সকলৰ হাতত
শোধাই দিয়া হব৷ ২৩ লোক সকলে তেওঁক বধ কৰিব আৰু তিন দিনৰ
দিনা তেওঁ পুনৰাই জীয়াই উঠিব৷" এই কথা শুনি শিষ্য সকল অতি
দুঃখিত হ'ল৷ ২৪ যীচু আৰু তেওঁৰ শিষ্য সকল কফৰনাহূমলৈ গ'ল৷ যি
সকল কৰ সংগ্ৰহকাৰীয়ে আধলি তোলে, তেওঁলোকে পিতৰৰ ওচৰলৈ
আহি ক'লে, "তোমালোকৰ গুৰুৱে আধলিটো নিদিয়ে নে?" ২৫ তেওঁ
ক'লে "দিয়ে৷" ইয়াৰ পাছত পিতৰে ঘৰলৈ আহি কিবা কোৱাৰ আগেয়ে
যীচুৱে তেওঁক ক'লে, "চিমোন, তোমাৰ মনত কি ভাব হয়? পৃথিৱীৰ
ৰজা সকলে কোন লোকৰ পৰা কৰ বা মাচুল আদায় কৰে? নিজৰ

দেশৰ লোক সকলৰ পৰা নে আন বিদেশী সকলৰ পৰা?" ২৬ পিতৰে
ক'লে "বিদেশী সকলৰ পৰা", যীচুৱে তেওঁক ক'লে, "তেনেহ'লে নিজৰ
দেশৰ লোক সকল কৰ দিয়াৰ পৰা মুক্ত। ২৭ তথাপি আমি যেন কৰ
সংগ্ৰহকাৰী সকলৰ বিঘিনি নজন্মাও, এই কাৰণে তুমি সাগৰলৈ গৈ
বৰশী বোৱা আৰু প্ৰথমে যি মাছ উঠিব সেইটোকে ধৰি মুখ মেলিলে
এটকা ৰূপপাবা; সেইটো আনি, মোৰ আৰু তোমাৰ কাৰণে দিবলগীয়া
কৰ তেওঁলোকক দিয়াগৈ।"

**১৮** সেই সময়ত শিষ্য সকলে যীচুৰ ওচৰলৈ আহি সুধিলে, "প্ৰভু,
স্বৰ্গৰাজ্যত শ্ৰেষ্ঠ কোন?" ২ তেতিয়া যীচুৱে এটি শিশুক ওচৰলৈ মাতি
আনি তেওঁলোকৰ মাজত থিয় কৰাই কলে, ৩ "মই তোমালোকক
সঁচাকৈ কওঁ, যদি তোমালোকে মন পৰিৱৰ্তন কৰি শিশু সকলৰ
দৰে হব নোৱাৰা, তেনেহলে কোনোমতেই স্বৰ্গৰাজ্যত প্ৰৱেশ কৰিব
নোৱাৰিবা৷ ৪ এতেকে যি কোনোৱে এই শিশুটিৰ দৰে নিজকে নম্ৰ
কৰে, তেৱেঁই স্বৰ্গৰাজ্যত সৰ্ব্বশ্ৰেষ্ঠ৷ ৫ আকৌ যি কোনোৱে এনে
এটি শিশুক মোৰ নামেৰে গ্ৰহণ কৰে, তেওঁ মোকেই গ্ৰহণ কৰে। ৬
মোক বিশ্বাস কৰা এই নম্ৰ সকলৰ মাজৰ কোনোবা এজনক যদি
কোনোৱে পাপৰ পথত লৈ যায়, তেনেহলে তেওঁক ডিঙিত এটা ডাঙৰ
জাঁত বান্ধি বৰং সমুদ্ৰৰ গভীৰ পানীত ডুবাই দিয়াই তেওঁৰ পক্ষে ভাল
হব। ৭ হায়! বিঘিনিৰ সময়ৰ কাৰণে এই জগত; কিয়নো বিঘিনিৰ
সময় অৱশ্যেই আহিব৷ কিন্তু যি মানুহৰ দ্বাৰাই বিঘিনি হয়, তেওঁৰ
সন্তাপ হ'ব৷ ৮ তোমালোকক পাপলৈ নিয়াৰ কাৰণ যদি তোমালোকৰ
হাত বা ভৰি হয়, তেনেহলে তাক কাটি দূৰলৈ দলিয়াই পেলোৱা;
দুই হাত বা দুই ভৰি লৈ অনন্ত জুইত পেলোৱা হোৱাতকৈ, কোঙা বা
খোৰা হৈ জীৱনত প্ৰৱেশ কৰাই তোমালোকৰ পক্ষে ভাল। **(aiōnios
g166)** ৯ তোমালোকৰ চকুৱে যদি তোমালোকক পাপৰ পথলৈ নিয়ে,
তেনেহলে তাকো কাঢ়ি তোমালোকৰ পৰা দূৰলৈ দলিয়াই পেলোৱা;
দুই চকু লৈ অনন্ত অগ্নিময় নৰকত পেলোৱা হোৱাতকৈ, বৰং কণা
হৈ জীৱনত সোমোৱাই তোমালোকৰ পক্ষে ভাল। **(Geenna g1067)**
১০ সেয়ে সাৱধানে চলিবা; তোমালোকে এই সৰু সকলৰ মাজৰ

এজনকো হেয়জ্ঞান নকৰিবা; কিয়নো মই তোমালোকক কওঁ, স্বৰ্গত
তেওঁলোকৰ দূত সকলে মোৰ স্বৰ্গীয় পিতৃৰ মুখ সদায় যেন দেখা
পায়। ১১ কাৰণ যি হেৰাল, তাক বিচাৰি ৰক্ষা কৰিবলৈ মানুহৰ পুত্ৰ
আহিল। ১২ তোমালোকে কি ভাবা? যদি কোনো এজন মানুহৰ এশটা
মেৰ আছে অাৰু তাৰ মাজৰ পৰা যদি এটা ভুল পথে গৈ হেৰাই
যায়, তেতিয়া তেওঁ জানো নিৰানব্বৈটা মেষক পাহাৰৰ দাঁতিত এৰি
থৈ হেৰোৱা মেষটোক বিচাৰি নাযাব? ১৩ আৰু যদি হেৰোৱাটোক
কেনেবাকৈ পায়, তেনেহলে মই তোমালোকক সঁচাকৈ কওঁ যে, ভুল
পথে নোযোৱা সেই নিৰানব্বৈটা মেষতকৈ, যিটো হেৰাই গৈছিল সেই
মেষটোক ঘূৰাই পোৱাত তেওঁ অধিক আনন্দ কৰিব। ১৪ এইদৰে
এই সৰু সকলৰ মাজৰ এটিও নষ্ট হোৱাটো স্বৰ্গত থকা তোমালোকৰ
পিতৃয়ে ইচ্ছা নকৰে। ১৫ কিন্তু তোমাৰ ভায়েৰাই যদি তোমাৰ বিৰুদ্ধে
পাপ কৰে, তেনেহলে তেওঁ অকলে থাকোতেই ওচৰলৈ গৈ তেওঁৰ
দোষ দেখুৱাই দিয়া। তেওঁ যদি তোমাৰ কথা শুনে, তেনেহলে তুমি
তোমাৰ ভায়েৰাক ঘূৰাই পালা। ১৬ কিন্তু যদি নুশুনে, তেনেহলে
দুই এজন ভাইক তোমাৰ লগত লৈ যোৱা, যাতে দুই বা তিনি জন
সাক্ষীৰ কথাত প্ৰত্যেকটো বিষয় সত্য বুলি প্ৰমাণিত হয়। ১৭ যদি
তেওঁ তেওঁলোকৰ কথাও নুশুনে, তেনেহলে মণ্ডলীক জনাবা; মণ্ডলীৰ
কথাও যদি নুশুনে, তেনেহলে তেওঁ তোমাৰ ওচৰত অনা-ইহুদী আৰু
কৰ সংগ্ৰহকাৰী সকলৰ দৰে হওক। ১৮ মই তোমালোকক সঁচাকৈয়ে
কওঁ, তোমালোকে পৃথিৱীত যিহকে বান্ধিবা, সেয়ে স্বৰ্গতো বন্ধ কৰা
হ'ব আৰু পৃথিৱীত যিহকে মুকলি কৰিবা, সেয়ে স্বৰ্গতো মুকলি কৰা
হব। ১৯ পুনৰায় মই তোমালোকক কওঁ, পৃথিৱীত তোমালোকৰ
দুজনৰ যদি প্ৰাৰ্থনীয় কোনো বিষয়ত এক মন হয়, তেনেহলে স্বৰ্গত
থকা মোৰ পিতৃৰ দ্বাৰাই তেওঁলোকলৈ সেই বিষয় সিদ্ধ কৰা হ'ব ২০
কিয়নো যি ঠাইত দুই বা তিনি জন মোৰ নামেৰে গোট খায়, সেই
ঠাইত ময়ো তেওঁলোকৰ মাজত থাকোঁ।” ২১ তেতিয়া পিতৰে যীচুৰ
ওচৰলৈ আহি তেওঁক ক'লে, “হে প্ৰভু, মোৰ ভায়ে মোৰ অহিতে কিমান
বাৰ পাপ কৰিলে মই তেওঁক ক্ষমা কৰিম? সাত বাৰলৈকে নে?” ২২

যীচুৱে তেওঁক ক'লে, “সাত বাৰলৈকে বুলি মই তোমাক নকওঁ; কিন্তু সাত সত্তৰ গুণ বাৰ বুলিহে কওঁ। ২৩ স্বৰ্গৰাজ্যক এনেদৰে তুলনা দিয়া হয়; যেনেকৈ, এজন ৰজাই নিজৰ দাস সকলৰ ওচৰত হিচাব বিচাৰিলে৷ ২৪ যেতিয়া তেওঁ হিচাব লবলৈ আৰম্ভ কৰিলে, তেতিয়া তেওঁৰ আগলৈ এনে এজন দাসক অনা হ'ল যি জনৰ ৰজাৰ ওচৰত দহ হাজাৰ ৰূপৰঋণ আছিল। ২৫ কিন্তু পৰিশোধ কৰিবলৈও তেওঁৰ ক্ষমতা নাছিল৷ তেতিয়া ৰজা জনে এই আদেশ দিলে যে, সেই লোক জনৰ সৈতে তেওঁৰ স্ত্ৰী, ল'ৰা-ছোৱালী আৰু তেওঁৰ সৰ্ব্বস্ব বিক্ৰী কৰি যেন ঋণ পৰিশোধ কৰা হয়। ২৬ তেতিয়া সেই দাসে মাটিত পৰি ৰজাৰ ভৰিত ধৰি ক'লে, ‘হে প্ৰভু, ধৈৰ্য ধৰক, মই আপোনাৰ আটাইখিনি ঋণ পৰিশোধ কৰিম।’ ২৭ তেতিয়া সেই ৰজা জনে মৰম কৰি সেই দাসক এৰি দিলে আৰু তাৰ ঋণও ক্ষমা কৰি দিলে। ২৮ পাছত সেই দাসে বাহিৰলৈ গৈ তেওঁৰ এজন সহকৰ্মীক দেখা পালে৷ তাৰ ওচৰত সেই সহকৰ্মী জনৰ প্ৰায় এশ মুদ্ৰাঋণ আছিল৷ দাস জনে সেই সহকৰ্মী জনৰ ডিঙি চেপি ক'লে, ‘তই যি মুদ্ৰা ধাৰে লৈছিলি, সেই মুদ্ৰা এতিয়া পৰিশোধ কৰ’। ২৯ তেতিয়া তাৰ সহকৰ্মী জনে মাটিত পৰি কাকুতি-মিনতি কৰি ক'লে, ‘ধৈৰ্য ধৰছোন, মই তোৰ সকলো ধাৰ পৰিশোধ কৰিম’। ৩০ কিন্তু তেওঁ সন্মত নহ'ল৷ বৰং পৰিশোধ নকৰা পৰ্যন্ত তেওঁক বন্দীশালত বন্দী কৰি থলে। ৩১ তেতিয়া তেওঁৰ সহদাসবোৰে এই ঘটনা দেখি অতিশয় দুঃখিত হ'ল৷ সিহঁতে ৰজাৰ ওচৰলৈ গৈ যি যি ঘটিল, সেই সকলো বিষয় তেওঁক জনালে। ৩২ তেতিয়া ৰজাই সেই দাসক মাতি কলে, ‘দুষ্ট দাস! তই মোক কাকুতি-মিনতি কৰাত মই তোৰ সকলো ধাৰ ক্ষমা কৰিলোঁ ৩৩ তেনেহলে মই যেনেকৈ তোক দয়া কৰিছিলোঁ, তয়ো তেনেকৈ তোৰ সহদাসক দয়া কৰা উচিত নাছিল নে’? ৩৪ তেতিয়া ৰজাৰ খং উঠিল আৰু দিবলগীয়া আটাইখিনি ঋণ পৰিশোধ নকৰা পৰ্যন্ত দাস জনক যাতনাকাৰীৰ হাতত শোধাই দিলে। ৩৫ ঠিক সেইদৰে তোমালোক প্ৰতিজনে যদি তোমালোকৰ ভাইক অন্তৰেৰে সৈতে ক্ষমা নকৰা, তেনেহলে মোৰ স্বৰ্গীয় পিতৃয়েও তোমালোকক এইদৰে কৰিব।”

**১৯** এইবোৰ কথা কোৱাৰ অন্তত যীচু গালীল প্ৰদেশৰ পৰা যৰ্দ্দনৰ
সিপাৰে থকা যিহুদীয়াৰ সীমালৈ আহিল৷ ২ মানুহৰ বৃহৎ দল এটাও
তেওঁৰ পাছে পাছে আহিবলৈ ধৰিলে আৰু তেওঁ সেই লোক সকলক সুস্থ
কৰিলে। ৩ সেই সময়ত কেইজনমান ফৰীচীয়ে আহি যীচুক পৰীক্ষা
কৰিবৰ কাৰণে সুধিলে, “কোনো লোকৰ পক্ষে যি কোনো কাৰণত
পত্নীক ত্যাগ কৰাটো বিধান সন্মত হয় নে?” ৪ তাতে যীচুৱে উত্তৰ দি
ক’লে, “আৰম্ভণীতে সৃষ্টিকৰ্তাই যে তেওঁলোকক পুৰুষ আৰু স্ত্ৰী কৰি
স্ৰজন কৰিলে, সেই বিষয়ে আপোনালোকে জানো পঢ়া নাই? ৫ তাৰ
পাছত ঈশ্বৰে আকৌ কৈছিল, ‘এই হেতুকে মানুহে নিজৰ পিতৃ-মাতৃক
এৰি, নিজৰ স্ত্ৰীত আসক্ত হৈ এক দেহ হ’ব’? ৬ তেওঁলোক এতিয়া
দুজন নহয়, কিন্তু দুয়ো এক দেহ হ’ল। এতেকে ঈশ্বৰে যি জনক
একেলগে যোগ কৰিছে, মানুহে তেওঁক বিয়োগ নকৰক।” ৭ তেতিয়া
ফৰীচী সকলে তেওঁক সুধিলে, “তেনেহলে মোচিয়ে কিয় ত্যাগ-পত্ৰ
দি ভাৰ্যাক এৰিবলৈ আজ্ঞা দিছে”? ৮ যীচুৱে তেওঁলোকক ক’লে,
“আপোনালোকৰ কঠোৰ মনৰ কাৰণে মোচিয়ে নিজৰ ভাৰ্যাক ত্যাগ
কৰিবলৈ আপোনালোকক আজ্ঞা দিছে; আৰম্ভণীতে কিন্তু এনেকুৱা
নাছিল। ৯ সেয়ে, মই আপোনালোকক কওঁ, যদি কোনো মানুহে
ব্যভিচাৰৰ বাহিৰে আন কোনো কাৰণত ভাৰ্যাক ত্যাগ কৰি অন্যক
বিয়া কৰায়, তেনেহলে সেই জনে ব্যভিচাৰ কৰে আৰু কোনোৱে
যদি পৰিত্যক্ত হোৱা সেই ভাৰ্যাক বিয়া কৰায়, তেনেহলে তেৱোঁ
ব্যভিচাৰ কৰে।” ১০ তেতিয়া শিষ্য সকলে যীচুক ক’লে, “যদি নিজৰ
ভাৰ্যাৰ সৈতে এজন পুৰুষৰ সম্পৰ্ক এনেকুৱাই হয়, তেনেহলে বিয়া
নকৰোঁৱাই ভাল”। ১১ যীচুৱে তেওঁলোকক ক’লে, “সকলোৱে এই
শিক্ষা মানি লব নোৱাৰে, কেৱল যি সকলক সেই ক্ষমতা দিয়া হৈছে,
তেওঁলোকেহে এই বিষয় মানি লব পাৰে। ১২ কোনোৱে মাকৰ গৰ্ভৰ
পৰাই নপুংসক হৈ জন্ম পাইছে; আন কাৰোবাক মানুহেই নপুংসক
কৰিছে; পুণৰ এনে কোনো কোনো লোক আছে যি সকলে স্বৰ্গৰাজ্যৰ
কাৰণে নিজকে নিজে নপুংসক কৰিছে। যি জনে এই শিক্ষা গ্ৰহণ
কৰিব পাৰে, তেওঁ গ্ৰহণ কৰক।” ১৩ তাৰ পাছত লোক সকলে

সৰু সৰু ল’ৰা ছোৱালীবোৰক যীচুৰ কাষলৈ লৈ আহিল যাতে শিশু
সকলৰ ওপৰত হাত ৰাখি তেওঁ প্ৰাৰ্থনা কৰে; কিন্তু যীচুৰ শিষ্য সকলে
তেওঁলোকক ডবিয়াব ধৰিলে। ১৪ তেতিয়া যীচুৱে ক’লে, “শিশুবোৰক
মোৰ ওচৰলৈ আহিবলৈ দিয়া, নিষেধ নকৰিবা; কিয়নো স্বৰ্গৰাজ্য
এওঁলোকৰ নিচিনা লোক সকলৰ বাবেহে।” ১৫ ইয়াৰ পাছত তেওঁ
শিশু সকলৰ ওপৰত নিজৰ হাত ৰাখিলে৷ পাছত সেই ঠাইৰ পৰা তেওঁ
আতৰি গ’ল। ১৬ এদিন এজন যুৱকে যীচুৰ ওচৰলৈ আহি সুধিলে,
“হে গুৰু, অনন্ত জীৱন পাবৰ কাৰণে মই কি সৎ কৰ্ম কৰিব লাগিব”?
(aiōnios g166) ১৭ যীচুৱে তেওঁক ক’লে, “সৎ কৰ্ম কি, এই বিষয়ে তুমি
মোক কিয় সুধিছা? সৎ মাত্ৰ এজনেই আছে। যদি তুমি সেই অনন্ত
জীৱনত সোমাবলৈ ইচ্ছা কৰা, তেনেহলে তেওঁৰ আজ্ঞাবোৰ পালন
কৰা।” ১৮ মানুহ জনে তেওঁক সুধিলে, “কোনবোৰ আজ্ঞা”? যীচুৱে
ক’লে, “নৰ-বধ নকৰিবা; ব্যভিচাৰ নকৰিবা; চুৰ নকৰিবা; ১৯ মিছা
সাক্ষ্য নিদিবা; নিজৰ পিতৃ-মাতৃক সন্মান কৰা; আৰু তোমাৰ চুবুৰীয়াক
নিজৰ নিচিনাকৈ প্ৰেম কৰিবা”। ২০ সেই যুৱক জনে তেতিয়া তেওঁক
ক’লে, “মইতো এই সকলোবোৰ পালন কৰি আহিছোঁ; এতিয়া মোৰ
কি কৰিবলৈ বাকী আছে”? ২১ যীচুৱে তেওঁক ক’লে, “যদি তুমি নিখুঁত
হবলৈ ইচ্ছা কৰা, তেনেহলে যোৱা; তোমাৰ সৰ্ব্বস্ব বেচা আৰু দৰিদ্ৰ
সকলক দান কৰা, তাতে স্বৰ্গত তোমাৰ ধন হব৷ তাৰ পাছত আহা,
মোৰ অনুকাৰী হোৱা”। ২২ এই কথা শুনি যুৱক জন অতি দুঃখিত হৈ
গুচি গ’ল; কিয়নো তেওঁৰ বহুত ধন-সম্পত্তি আছিল। ২৩ তেতিয়া
যীচুৱে তেওঁৰ শিষ্য সকলক ক’লে, “মই তোমালোকক সঁচাকৈ কওঁ,
ধনী লোকৰ বাবে স্বৰ্গৰাজ্যত প্ৰৱেশ কৰা কঠিন। ২৪ পুনৰায় মই
তোমালোকক কওঁ, ধনী ব্যক্তিৰ কাৰণে ঈশ্বৰৰ ৰাজ্যত সোমোৱাতকৈ
বৰং বেজীৰ বিন্ধায়েদি উট সোমোৱা উজু।” ২৫ এই কথা শুনি শিষ্য
সকলে অতিশয় বিস্মিত হৈ ক’লে, “তেনেহলে পৰিত্ৰাণ পোৱা কাৰ
সম্ভৱ?” ২৬ যীচুৱে তেওঁলোকলৈ চাই ক’লে, “ই মানুহৰ পক্ষে অসম্ভৱ
ঠিকেই, কিন্তু ঈশ্বৰৰ পক্ষে সকলো সম্ভৱ।” ২৭ তেতিয়া পিতৰে উত্তৰ
দি তেওঁক ক’লে, “চাওক, আমি সকলোকে এৰি আপোনাৰ পাছত

আহিছোঁ, তেনেহলে আমি পাম নে?” ২৮ যীচুৱে তেওঁলোকক ক'লে,
“মই সঁচাকৈ তোমালোকক কওঁ, তোমালোক যি সকল মোৰ অনুগামী
হ'লা, নতুন সৃষ্টিৰ সময়ত যেতিয়া মানুহৰ পুত্ৰ নিজৰ প্ৰতাপেৰে
সিংহাসনত বহিব, তেতিয়া তোমালোকেও বাৰ খন সিংহাসনত বহিবা
আৰু ইস্ৰায়েলৰ বাৰ ফৈদৰ সোধ-বিচাৰ কৰিবা। ২৯ যি কোনোৱে
মোৰ নামৰ কাৰণে নিজৰ ঘৰ, ভাই, ভনী, পিতৃ, মাতৃ, সন্তান, বা
মাটিকে এৰে, তেওঁ তাৰ এশ গুণ বেচি পাব আৰু অনন্ত জীৱনৰো
অধিকাৰী হব। (aiōnios g166) ৩০ যি সকল এতিয়া প্ৰথমত আছে,
তেওঁলোকৰ মাজৰ অনেক পাছ হ'ব, আৰু যি সকল শেষত আছে,
তেওঁলোকৰ মাজৰ বহু লোক আগ হ'ব।”

২০ “স্বৰ্গৰাজ্য এজন গৰাকীৰ নিচিনা৷ তেওঁ এদিন নিজৰ দ্ৰাক্ষাবাৰীৰ
কামৰ বাবে অতি ৰাতিপুৱাতে বনুৱা সকলক বিচাৰি ওলাই গ'ল। ২
তেওঁ এক একদীনাৰ দিবলৈ বনুৱা সকলৰ সৈতে বন্দবস্ত কৰি সিহঁতক
দ্ৰাক্ষাবাৰীলৈ পঠাই দিলে। ৩ প্ৰায় নটা বজাত তেওঁ আকৌ ওলাই গ'ল
আৰু আন কিছুমান বনুৱাক বজাৰত তেতিয়াও থিয় হৈ থকা দেখি তেওঁ
সিহঁতক ক'লে, ৪ ‘তোমালোকেও মোৰ দ্ৰাক্ষাবাৰীলৈ কাম কৰিবলৈ
যোৱা। তোমালোককো মই উচিত মজুৰী দিম।’ তেতিয়া সিহঁতেও কাম
কৰিবলৈ গ'ল। ৫ আকৌ প্ৰায় বাৰটা আৰু তাৰ পাছত তিনিটা বজাত
তেওঁ ওলাই গৈ, সেই একেদৰেই কৰিলে। ৬ পুণৰ প্ৰায় পাঁচ মান
বজাত তেওঁ ওলাই গৈ আন কেইজনমান বনুৱাক থিয় হৈ থকা দেখি
সিহঁতক সুধিলে, ‘তোমালোকে একো কাম নকৰাকৈ গোটেই দিনতো
ইয়াত কিয় থিয় হৈ আছা? ৭ সিহঁতে তেওঁক ক'লে, ‘কোনেও আমাক
কামত লগোৱা নাই।’ তেতিয়া তেওঁ সিহঁতক ক'লে, ‘তোমালোকো
মোৰ দ্ৰাক্ষাবাৰীৰ কামলৈ যোৱা।’ ৮ পাছত গধূলি সময়ত, সেই
দ্ৰাক্ষাবাৰীৰ গৰাকীয়ে নিজৰ কৰ্মচাৰীক ক'লে, ‘বনুৱা সকলক মাতি
শেষৰ জনৰ পৰা আৰম্ভ কৰি, প্ৰথম জনলৈকে প্ৰত্যেককে মজুৰী
দিয়া।’ ৯ পাঁচ মান বজাত যি সকলক বনুৱাক কামত লগোৱা হৈছিল,
সিহঁতে আহি এক দীনাৰকৈপালে। ১০ তাতে যি সকল বনুৱাক প্ৰথমে
কামত লগোৱা হৈছিল, সিহঁতে বেচিকৈ মজুৰী পাব বুলি মনে মনে

ভাবিলে; কিন্তু সিহঁতেও এক একদীনাৰহে পালে। ১১ সিহঁতে নিজৰ
মজুৰী পোৱাৰ পাছত গৰাকীৰ বিৰুদ্ধে অভিযোগ কৰি ক'লে, ১২
"আমি গোটেই দিনটো ৰ'দৰ তাপত কাম কৰিলোঁ; কিন্তু এই শেষত
অহা বনুৱা সকলে মাত্ৰ এঘন্টা কাম কৰিছে, তথাপি আপুনি সিহঁতক
আমাৰ সমানেই দিলে।" ১৩ তেতিয়া গৰাকীয়ে সিহঁতৰ মাজৰ এজনক
উত্তৰ দিলে, "বন্ধু, মই তোমালোকৰ ওপৰত একো অন্যায় কৰা
নাই; তোমালোকে জানো মোৰ লগত এক দীনাৰত কাম কৰিবলৈ
বন্দবস্ত কৰা নাছিলা? ১৪ তোমালোকক যিমান দিছোঁ, এই শেষৰ
কেইজনকো সিমান দিবলৈ মোৰ ইচ্ছা; নিজৰ পাবলগীয়াখিনি লৈ
তোমালোক গুচি যোৱা৷ ১৫ যিবোৰ মোৰ নিজৰ বস্তু, সেইবোৰ মই
নিজৰ ইচ্ছামতে ব্যৱহাৰ কৰাৰ অধিকাৰ জানো মোৰ নাই? নে মই
উত্তম কৰ্ম কৰা বাবে তোমালোকৰ চকু পুৰিছে? ১৬ এইদৰে পাছ
হোৱা সকল আগ হ'ব আৰু আগ হোৱা সকল পাছ হ'ব।" ১৭ তাৰ
পাছত যীচু যিৰূচালেমলৈ যোৱাৰ পথত, বাৰ জন শিষ্যক একাষৰীয়া
কৰি মাতি নি ক'লে, ১৮ "চোৱা, আমি যিৰূচালেমলৈ গৈ আছোঁ; তাত
মানুহৰ পুত্ৰক প্ৰধান পুৰোহিত আৰু বিধানৰ অধ্যাপক সকলৰ হাতত
শোধাই দিয়া হ'ব; তাতে তেওঁলোকে তেওঁক দোষী কৰি প্ৰাণদণ্ডৰ
আজ্ঞা দিব; ১৯ তেওঁলোকে তেওঁক বিদ্ৰূপ কৰিবৰ কাৰণে চাবুকেৰে
কোবাবলৈ আৰু ক্ৰুচত দিবলৈ অনা-ইহুদী সকলৰ হাতত শোধাই দিব;
কিন্তু তিন দিনৰ দিনা তেওঁক তোলা হ'ব।" ২০ তাৰ পাছত চিবদিয়ৰ
পুতেক দুজনক সিহঁতৰ মাকে লগত লৈ যীচুৰ ওচৰলৈ আহিল আৰু
প্ৰণিপাত কৰি তেওঁৰ ওচৰত যাচনা কৰিলে। ২১ তেতিয়া যীচুৱে
তেওঁক সুধিলে "তুমি কি বিচাৰি আহিছা?" তেওঁ যীচুক ক'লে, "আপুনি
এই আদেশ দিয়ক যেন আপোনাৰ ৰাজ্যত মোৰ এই দুটা পুত্ৰৰ
এটাই আপোনাৰ সোঁ হাতে, আনটোৱে বাওঁহাতে বহিবলৈ পায়।"
২২ যীচুৱে উত্তৰ দি ক'লে, "তোমালোকে কি খুজিছা, সেই বিষয়ে
নাজানা। মই যি পাত্ৰত পান কৰিবলৈ গৈছোঁ, তোমোলোকে সেই
পাত্ৰত পান কৰিব পাৰিবা নে?" তেওঁলোকে তেওঁক ক'লে 'পাৰিম'।
২৩ তেওঁ তেওঁলোকক ক'লে, "তোমালোকে মোৰ পান-পাত্ৰত পান

কৰিবা হয়, কিন্তু মোৰ সোঁ হাতে আৰু বাওঁহাতে বহিবলৈ দিবৰ বাবে
মোৰ ক্ষমতা নাই৷ মোৰ পিতৃয়ে যি লোক সকলৰ কাৰণে ইয়াক যুগুত
কৰি ৰাখিছে, তেওঁলোককহে দিয়া হ'ব।" ২৪ এই কথা শুনি আন
দহ জন শিষ্যই এই দুজন ভাই-ককায়েকৰ প্ৰতি অসন্তুষ্ট হ'ল। ২৫
তেতিয়া যীচুৱে শিষ্য সকলক মাতি ক'লে, "তোমালোকে এই কথা
জানা যে, অনা-ইহুদী সকলৰ শাসনকৰ্তা সকলে তেওঁলোকৰ ওপৰত
প্ৰভুত্ব কৰে, আৰু নেতা সকলে তেওঁলোকৰ ওপৰত ক্ষমতা চলায়। ২৬
তোমালোকৰ মাজত তেনে হোৱা উচিত নহয়; তোমালোকৰ মাজত যি
কোনোৱে মহান হবলৈ ইচ্ছা কৰে, তেওঁ তোমালোকৰ সেৱাকাৰী
হওক৷ ২৭ যি কোনোৱে তোমালোকৰ মাজত প্ৰথম হবলৈ ইচ্ছা কৰে,
তেওঁ তোমালোকৰ দাস হওক, ২৮ মানুহৰ পুত্ৰই সেৱা-শুশ্ৰূষা পাবলৈ
নহয়, কিন্তু সেৱা শুশ্ৰূষা কৰিবলৈ আৰু অনেকৰ মুক্তিৰ মূল্যৰ অৰ্থে
নিজৰ প্ৰাণ দিবলৈহে আহিল৷" ২৯ পাছত যীচু আৰু তেওঁৰ শিষ্য সকল
যিৰীহো নগৰৰ পৰা ওলাই যাওঁতে, অনেক লোক যীচুৰ পাছে পাছে
গ'ল। ৩০ তাতে বাটৰ কাষত দুজন অন্ধ বহি আছিল; যীচু সেই বাটেদি
যোৱা শুনি সিহঁতে চিঞৰি চিঞৰি কবলৈ ধৰিলে, "হে দায়ুদৰ বংশৰ
সন্তান আমাক দয়া কৰক"। ৩১ কিন্তু সিহঁতক মনে মনে থাকিবলৈ
লোক সকলে ডবিয়ালে; কিন্তু সিহঁতে তেতিয়া পুনৰ বৰকৈ চিঞৰিহে
ক'লে, "হে প্ৰভু, দায়ুদৰ বংশৰ সন্তান, আমাক দয়া কৰক"। ৩২
তেতিয়া যীচু থমকি ৰ'ল আৰু সিহঁতক মাতি সুধিলে, "তোমালোকে কি
বিচাৰা? মই তোমালোকৰ কাৰণে কি কৰিম?" ৩৩ সিহঁতে যীচুক
ক'লে, "হে প্ৰভু, আমাৰ চকু মুকলি কৰক।" ৩৪ তেতিয়া সিহঁতলৈ
মৰম লাগি যীচুৱে সিহঁতৰ চকু চুলে; তেতিয়াই সিহঁতে দেখা পালে
আৰু তেওঁৰ পাছে পাছে গ'ল।

**২১** যীচু আৰু তেওঁৰ শিষ্য সকল যিৰূচালেমৰ ওচৰৰ জৈতুন পৰ্বতৰ
বৈৎফগী গাওঁলৈ আহিল, তেতিয়া যীচুৱে দুজন শিষ্যক এই কথা কৈ
পঠিয়ালে, ২ "তোমালোক সন্মুখৰ গাওঁখন লৈ যোৱা; তাতে বান্ধি
থোৱা গাধ এজনী পোৱালিয়ে সৈতে পাবা; সেই দুটা মোৰ বাবে খুলি
আনাগৈ। ৩ যদি তোমালোকক কোনোবাই কিবা কয়, তেনেহলে

তোমালোকে কবা, 'প্ৰভুৰ এই দুটাৰ প্ৰয়োজন আছে, তাতে তেওঁ লগে
লগেই তোমাক দি পঠাব'।" ৪ যি বচন ভাববাদীৰ দ্বাৰাই কোৱা হৈছিল,
এইটো সম্পূৰ্ণ হওক, ৫ "তোমালোকে চিয়োন-জীয়ৰীক কোৱা, চোৱা,
তোমাৰ ৰজা তোমাৰ ওচৰলৈ আহিছে, তেওঁ নম্ৰ হৈ, গাধৰ ওপৰত
বহি, অৰ্থাৎ গাধ পোৱালিৰ ওপৰত উঠি।" ৬ সেই বচন সিদ্ধ হবলৈ
এয়ে ঘটিল; তেতিয়া শিষ্য সকল গ'ল আৰু যীচুৱে দিয়া আদেশ
অনুসৰি কৰিলে, ৭ গাধজনী আৰু পোৱালিটো আনিলে, আৰু সিহঁতৰ
পিঠিত তেওঁলোকৰ কাপোৰ পাৰি দিলে; তাৰ পাছত তেওঁ তাৰ
ওপৰত বহিল। ৮ তেতিয়া লোক সকলৰ অধিক ভাগে নিজৰ নিজৰ
কাপোৰ বাটত পাৰি দিলে; আৰু কিছুমান লোকে গছৰ ডালবোৰকে
কাটি আনি বাটত পাৰি দিলে; ৯ আৰু তেওঁৰ আগে-পাছে যোৱা লোক
সকলে ৰিঙিয়াই ক'লে, "হোচানা! হোচানা! দায়ূদৰ বংশৰ সন্তান৷ যি
জন প্ৰভুৰ নামেৰে আহিছে, তেওঁ ধন্য; উৰ্দ্ধলোকত জয়ধ্বনি হওক!"
১০ যেতিয়া যীচু যিৰূচালেমত প্ৰৱেশ কৰিলে, তেতিয়া লোক সকলে
পুণৰ উৎফুল্লিত হৈ কব ধৰিলে "এই জন কোন?" ১১ তাতে লোক
সকলে ক'লে, "এওঁ গালীল প্ৰদেশৰ নাচৰতৰ পৰা অহা ভাববাদী
যীচু।" ১২ পাছত যীচু ঈশ্বৰৰ মন্দিৰত সোমাল, তাত যি সকলে
মন্দিৰৰ ভিতৰত বেচা-কিনা কৰে, তেওঁলোকক বাহিৰ কৰিলে আৰু
ধন সলোৱা সকলৰ মেজ আৰু কপৌ বেচাবোৰৰ আসনবোৰ লুটিয়াই
পেলালে। ১৩ যীচুৱে তেওঁলোকক ক'লে, "এইটো লিখা আছে, 'মোৰ
ঘৰ প্ৰাৰ্থনাৰ ঘৰ কোৱা হ'ব', কিন্তু তোমালোকে তাক ডকাইতৰ গুহা
কৰিছা।" ১৪ তেতিয়া অন্ধ আৰু খোৰা সকল সেই মন্দিৰলৈ আহিল
আৰু যীচুৱে তেওঁলোকক সুস্থ কৰিলে। ১৫ কিন্তু প্ৰধান পুৰোহিত আৰু
বিধানৰ অধ্যাপক সকলে তেওঁ কৰা আচৰিত কৰ্মবোৰ দেখি আৰু
যেতিয়া ল'ৰাবোৰে মন্দিৰত চিঞৰি "জয়! জয়! দায়ূদৰ বংশৰ সন্তান",
বুলি কোৱা শুনিলে, তেতিয়া তেওঁলোক ক্ষোভিত হ'ল৷ ১৬ তেতিয়া
তেওঁলোকে যীচুক ক'লে, "লোক সকলে কি কৈছে তুমি শুনিছা নে?"
যীচুৱে তেওঁলোকক ক'লে, "হয়! আপোনালোকে কেতিয়াও পঢ়া নাই
নে, 'তুমি শিশু আৰু কেচুৱাবোৰৰ মুখৰ পৰা স্তুতি সম্পূৰ্ণ কৰিলা'?"

১৭ পাছত তেওঁ তেওঁলোকক এৰি নগৰৰ পৰা ওলাই বৈথনিয়া গাঁৱলৈ
গ’ল আৰু ৰাতিতো তাতেই থাকিল। ১৮ ৰাতিপুৱা নগৰলৈ ঘূৰি
আহোতে তেওঁৰ ভোক লাগিল৷ ১৯ এনেতে বাটৰ কাষত এজোপা
ডিমৰু গছ দেখা পালে আৰু তেওঁ ওচৰলৈ গ’ল, কিন্তু পাতৰ বাহিৰে
একো নোপোৱাত, তেওঁ ক’লে, “এতিয়াৰ পৰা এই গছত কোনো
কালে ফল নধৰক”। লগে লগেই সেই ডিমৰু জোপা শুকাই গ’ল৷
(aiōn g165) ২০ যেতিয়া শিষ্য সকলে সেই গছজোপাৰ অৱস্থা দেখা
পালে, তেতিয়া তেওঁলোকে বিস্ময় মানি ক’লে, “এই ডিমৰু গছজোপা
অকস্মাৎ কেনেকৈ শুকাই গ’ল?” ২১ যীচুৱে উত্তৰ দি তেওঁলোকক
ক’লে, “মই তোমালোকক সঁচাকৈ কওঁ, তোমালোকে যদি সন্দেহ
নকৰি বিশ্বাস কৰা, তেনেহলে কেৱল ডিমৰু গছকে এইদৰে কৰিব
পাৰিবা এনে নহয়; কিন্তু এই পৰ্বতটোক যদি কোৱা, ইয়াৰ পৰা উঠি
সাগৰত পৰ গৈ, তেতিয়া সিওঁ হ’ব। ২২ তোমালোকে প্ৰাৰ্থনাৰে বিশ্বাস
কৰি যি যি খোজা সকলোকে পাবা।” ২৩ যীচু মন্দিৰলৈ আহি উপদেশ
দি থকাৰ সময়ত, প্ৰধান পুৰোহিত আৰু পৰিচাৰক সকল তেওঁৰ
ওচৰলৈ আহি সুধিলে, “তুমি কি ক্ষমতাৰে এইবোৰ কৰিছা? এই
অধিকাৰ তোমাক কোনে দিলে?” ২৪ যীচুৱে উত্তৰ দি তেওঁলোকক
ক’লে, “ময়ো আপোনালোকক এই কথা সুধো; যদি আপোনালোকে
মোক কয়, তেনেহলে ময়ো কি অধিকাৰেৰে এইবোৰ কৰিছোঁ, সেই
বিষয়ে আপোনালোকক কম। কওকচোন- ২৫ বাপ্তিস্ম দিওঁতা যোহন-
তেওঁ কৰ পৰা আহিছে? স্বৰ্গৰাজ্যৰ পৰা নে মানুহৰ পৰা?” তাতে
তেওঁলোকে পৰস্পৰে আলোচনা কৰি ক’লে, “আমি যদি কওঁ স্বৰ্গৰ
পৰা, তেওঁ আমাক ক’ব, তেনেহলে কিয় তেওঁত বিশ্বাস নকৰিলা?
২৬ কিন্তু আমি যদি কওঁ ‘মানুহৰ পৰা’, তেনেহলে লোক সকললৈ
আমাৰ ভয় লাগে; কিয়নো সকলোৱে যোহনক ভাববাদী বুলি মানে।”
২৭ পাছত তেওঁলোকে যীচুক উত্তৰ দি ক’লে, “আমি নাজানো”।
তেতিয়া তেৱোঁ তেওঁলোকক ক’লে, “তেনেহলে কি অধিকাৰেৰে মই
এইবোৰ কৰোঁ, সেই বিষয়ে ময়ো আপোনালোকক নকওঁ।” ২৮ “কিন্তু
আপোনালোকে কি ভাবে? এজন মানুহৰ দুজন পুতেক আছিল; তেওঁ

প্ৰথম জনৰ ওচৰলৈ গৈ ক’লে, ‘বোপা তুমি আজি দ্ৰাক্ষাবাৰীত কাম
কৰাগৈ’। ২৯ তাতে সি পিতাকক উত্তৰ দিলে, ‘মই নাযাওঁ’; কিন্তু
পাছত মনত অনুশোচনা কৰি গ’ল। ৩০ দ্বিতীয় জনৰ ওচৰলৈকো
গৈ, সেই একে কথাকে ক’লে। তাতে তেওঁ উত্তৰ দিলে, ‘মই যাম
পিতা’; কিন্তু তেওঁ নগ’ল। ৩১ এই দুয়োজনৰ মাজত পিতাকৰ ইচ্ছা
কোন জনে পালন কৰিলে?” তেওঁলোকে ক’লে, “প্ৰথম জনে”। যীচুৱে
তেওঁলোকক ক’লে, “মই আপোনালোকক সঁচাকৈ কওঁ, কৰ সংগ্ৰহকৰী
আৰু বেশ্যাবোৰে আপোনালোকৰ আগেয়ে ঈশ্বৰৰ ৰাজ্যত সোমাব।
৩২ কিয়নো যোহন আপোনালোকৰ ওচৰলৈ ধাৰ্মিকতাৰ পথেৰে
আহিল, তথাপি আপোনালোকে তেওঁত বিশ্বাস নকৰিলে; কিন্তু কৰ
সংগ্ৰহকাৰী আৰু বেশ্যাবোৰে তেওঁত বিশ্বাস কৰিলে; আপোনালোকে
এইবোৰ দেখিও, পাছত বিশ্বাস কৰিবলৈকো অনুতাপ নকৰিলে।” ৩৩
“আৰু এটা দৃষ্টান্ত শুনক। এজন মানুহ আছিল; তেওঁ এখন দ্ৰাক্ষাবাৰী
পাতিলে, আৰু তাৰ চাৰিওফালে বেৰা দি, তাৰ মাজত পেৰাশাল
পাতিলে৷ তাৰ পাছত টঙি সাজিলে, আৰু খেতিয়ক সকলৰ হাতত
গতাই দি, তেওঁ আন দেশলৈ গ’ল। ৩৪ যেতিয়া দ্ৰাক্ষাগুটি চপোৱাৰ
বতৰ ওচৰ হ’ল, তেওঁ নিজৰ গুটি পাবলৈ, খেতিয়ক সকলৰ ওচৰলৈ
তেওঁৰ দাসবোৰক পঠাই দিলে। ৩৫ কিন্তু দ্ৰাক্ষাবাৰীৰ খেতিয়ক
সকলে তেওঁৰ দাসবোৰক ধৰিলে; এজনক কোবালে, এজনক বধ
কৰিলে, এজনক শিল দলিয়াই মাৰিলে। ৩৬ পুনৰায় তেওঁ আগতকৈ
অধিক দাস পঠালে; তাতে সিহঁতকো সেই একেদৰে ব্যৱহাৰ কৰিলে।
৩৭ পাছত দ্ৰাক্ষাবাৰীৰ গৰাকীয়ে ‘পুত্ৰক আদৰ কৰিব বুলি’, সিহঁতৰ
ওচৰলৈ পঠালে। ৩৮ কিন্তু খেতিয়ক সকলে পুত্ৰক দেখি, পৰস্পৰে
ক’লে, ‘এওঁৱেই উত্তৰাধিকাৰী; আহা, আমি এওঁক বধ কৰোঁহক,
তাতে তেওঁৰ উত্তৰাধিকাৰ আমাৰ হ’ব’। ৩৯ এই বুলি সিহঁতে তেওঁক
ধৰি, দ্ৰাক্ষাবাৰীৰ বাহিৰলৈ নি বধ কৰিলে। ৪০ এনে স্থলত সেই
দ্ৰাক্ষাবাৰীৰ গৰাকী জন আহিলে, সেই খেতিয়ক সকলক কি কৰিব?”
৪১ লোক সকলে তেওঁক ক’লে, “তেওঁ সেই দুৰ্জনবোৰক নিষ্ঠুৰভাবে
সংহাৰ কৰিব, আৰু যি সকলে বতৰত ফলবোৰ শোধাই দিব, এনে

আন খেতিয়ক সকলৰ হাতত সেই দ্ৰাক্ষাবাৰী গতাই দিব।” ৪২ যীচুৱে
তেওঁলোকক ক’লে, “এই শাস্ত্ৰীয় বচন আপোনালোকে পঢ়া নাই নে,
‘ঘৰ-সজা সকলে যি শিল অগ্ৰাহ্য কৰিলে, সেয়ে চুকৰ প্ৰধান শিল হ’ল;
এয়ে প্ৰভুৰ পৰা হ’ল, আৰু আমাৰ দেখাত আচৰিত’? ৪৩ এই হেতুকে
মই আপোনালোকক কওঁ, আপোনালোকৰ পৰা ঈশ্বৰৰ ৰাজ্য নিয়া
হ’ব, আৰু তাৰ ফল উৎপন্ন কৰা জাতিক দিয়া হ’ব। ৪৪ এই শিলৰ
ওপৰত যি কোনো পৰিব, তেওঁ ডোখৰ-ডোখৰকৈ ভাগি যাব; কিন্তু
যাৰ ওপৰত এই শিল পৰিব, তেওঁক ধূলিৰ দৰে উৰুৱাই পেলাব।” ৪৫
তেতিয়া প্ৰধান পুৰোহিত আৰু ফৰীচী সকলে তেওঁৰ এই দৃষ্টান্তবোৰ
শুনি, তেওঁ যে তেওঁলোকৰ বিষয়ে কৈছে এই কথা বুজি পালে। ৪৬
কিন্তু তেওঁলোকে তেওঁক ধৰিবলৈ ছল বিচাৰিলে, কাৰণ লোক সকলক
ভয় কৰিলে; কিয়নো লোক সকলে তেওঁক ভাববাদী বুলি মানিছিল।

**২২** যীচুৱে উত্তৰ দিলে, আৰু দৃষ্টান্তৰে তেওঁলোকৰ লগত কথা
পাতি ক’লে যে, ২ “স্বৰ্গৰাজ্যৰ তুলনা এনে এজন ৰজাৰ লগত দিয়া
যায়, যি জনে তেওঁৰ পুতেকৰ বিয়াৰ ভোজ পাতি, ৩ এই ভোজলৈ
নিমন্ত্ৰণ কৰিবলৈ তেওঁৰ দাসবোৰক পঠাই দিলে, কিন্তু নিমন্ত্ৰিত সকল
আহিবলৈ মন নকৰিলে। ৪ পুনৰায় তেওঁ আন দাসবোৰক এই আদেশ
দি পঠালে, ‘যি সকলক নিমন্ত্ৰণ কৰা হৈছে তেওঁলোকক কোৱাগৈ;
চোৱা, মই ভোজ যুগুত কৰিলোঁ। মোৰ বলধ আদি হৃষ্টপুষ্ট পশু মৰা
হৈছে, আৰু সকলো সম্পূৰ্ণ হ’ল; তোমালোকে বিয়াৰ ভোজলৈ আহা’।
৫ কিন্তু তেওঁলোকে অৱহেলা কৰি কোনোৱে নিজৰ খেতিলৈ আৰু
কোনোৱে নিজৰ বেহা-বেপাৰলৈ ওলাই গ’ল। ৬ আৰু অৱশিষ্টবোৰে
তেওঁৰ সেই দাসবোৰক ধৰি, অপমান কৰি বধ কৰিলে। ৭ তাতে
ৰজাৰ খং উঠি, তেওঁৰ সৈন্য সকলক পঠিয়াই, সেই নৰবধীবোৰক
সংহাৰ কৰি, সিহঁতৰ নগৰ খন পুৰি পেলালে। ৮ তেতিয়া তেওঁৰ
দাসবোৰক ক’লে, ‘বিয়াৰ ভোজ যুগুত হৈ আছে, কিন্তু নিমন্ত্ৰিত সকল
যোগ্য নাছিল; ৯ এই কাৰণে তোমালোকে ৰাজপথৰ চাৰিআলিলৈ গৈ
যিমান মানুহ পোৱা, সেই আটাই লোককে বিয়াৰ উৎসৱলৈ নিমন্ত্ৰণ
কৰাগৈ’। ১০ তেতিয়া তেওঁৰ দাসবোৰে বাটলৈ ওলাই গৈ, ভাল-বেয়া

যিমান মানুহ পালে, সেই সকলোকে গোটাই আনিলে; তাতে আলহী
সকলৰ বিয়া-ঘৰ ভৰি পৰিল। ১১ কিন্তু ৰজাই আলহী সকলক চাবলৈ
ভিতৰলৈ আহোতে বিয়াৰ কাপোৰ নিপিন্ধা এজন মানুহ দেখি সুধিলে,
১২ 'হে মিত্ৰ, বিয়াৰ কাপোৰ নোহোৱাকৈ তুমি আহি ইয়াত কেনেকৈ
সোমালা'? তেতিয়া তেওঁ অবাক হ'ল; ১৩ তাতে ৰজাই তেওঁৰ দাস
সকলক মাতি ক'লে, 'ইয়াক হাত-ভৰি বান্ধি, বাহিৰৰ আন্ধাৰত পেলাই
দিয়া; তাতে ক্ৰন্দন আৰু দাঁত কৰচনি হ'ব'। ১৪ কিয়নো নিমন্ত্ৰিত
লোক অনেক, কিন্তু মনোনীত লোক তাকৰ।" ১৫ তাৰ পাছত ফৰীচী
সকল গ'ল, আৰু কেনেকৈ যীচুক নিজে কোৱা কথাত তেওঁলোকে
বন্দী কৰিব পাৰে, সেই বিষয়ে পৰিকল্পনা কৰিব ধৰিলে৷ ১৬ এনে
মন্ত্ৰণা কৰি, তেওঁলোকে হেৰোদীয়া মানুহৰ সৈতে তেওঁলোকৰ শিষ্য
সকলক যীচুৰ ওচৰলৈ পঠিয়ালে৷ তেওঁলোকে যীচুক ক'লে, "হে গুৰু,
আপুনি সত্য, আৰু সত্যৰূপে ঈশ্বৰৰ পথৰ বিষয়ে শিক্ষা দিছে, আপুনি
কোনো ব্যক্তিৰ মতামতক ভয় নকৰে; এই কাৰণে কোনো লোকৰ
সৈতে আপুনি পক্ষপাত নকৰে। ১৭ গতিকে আমাক কওকচোন,
'চীজাৰক কৰ দিয়া বিধান সন্মত হয় নে নহয়'? এই বিষয়ে আপুনি কি
ভাৱে, চীজাৰক কৰ দিব পায় নে নাপায়?" ১৮ যীচুৱে তেওঁলোকৰ
দুষ্টতা বুজি পাই ক'লে, "হে কপটীয়া সকল, কিয় মোক পৰীক্ষা
কৰিছে? ১৯ কৰ দিয়া ধন মোক দেখুৱাওঁক৷" তেতিয়া তেওঁলোকে
তেওঁৰ আগলৈ আধলি এটা আনিলে। ২০ যীচুৱে তেওঁলোকক সুধিলে,
"এই প্ৰতিমূৰ্তি আৰু নাম কাৰ হয়?" ২১ তেতিয়া তেওঁলোকে তেওঁক
ক'লে, "চীজাৰৰ৷" তেতিয়া যীচুৱে তেওঁলোকক ক'লে, "তেনেহলে যি
চীজাৰৰ, সেয়া চীজাৰক দিয়ক আৰু যি ঈশ্বৰৰ, সেয়া ঈশ্বৰক দিয়ক।"
২২ এই কথা শুনি তেওঁলোকে বিস্ময় মানিলে৷ পাছত তেওঁলোকে
তেওঁক এৰি গুচি গ'ল। ২৩ সেইদিনা পুনৰুত্থান বিশ্বাস নকৰা চদ্দূকী
সকল যীচুৰ ওচৰলৈ আহিল৷ তেওঁলোকে তেওঁক সুধিলে, ২৪ "হে গুৰু
মোচিয়ে ক'লে, 'কোনো মানুহ যদি সন্তান নোহোৱাকৈ মৰে, তেনেহলে
ভায়েকে তেওঁৰ পত্নীক বিয়া কৰাই ককায়েকলৈ বংশ উৎপন্ন কৰিব'।
২৫ আমাৰ ইয়াত সাত জন ভাই-ককাই আছিল; প্ৰথম জনে বিয়া

কৰালে আৰু সন্তান নোহোৱাকৈ মৰি, তেওঁৰ তিৰোতাক ভায়েকলৈ
এৰি গ'ল। ২৬ পাছত দ্বিতীয়, তৃতীয় আদি কৰি সাতো জন ভাই
একেদৰে কৰিলে আৰু মৰিল। ২৭ সকলোৰে পাছত সেই তিৰোতা
জনী মৰিল। ২৮ তেনেহলে পুনৰুত্থানত তেওঁ সেই সাত জনৰ ভিতৰত
কোন জনৰ পত্নী হব? কিয়নো সকলোৱে তেওঁক বিয়া কৰাইছিল।"
২৯ যীচুৱে উত্তৰ দি তেওঁলোকক ক'লে, "আপোনালোকে ধৰ্মশাস্ত্ৰ আৰু
ঈশ্বৰৰ পৰাক্ৰম নাজানি ভুল কৰিছে। ৩০ কিয়নো পুনৰুত্থানত বিয়া
নকৰাই, বিয়া দিয়াও নহয়; কিন্তু স্বৰ্গত থকা দূতৰ নিচিনা হয়। ৩১ মৃত
সকলৰ পুনৰুত্থানৰ বিষয়ে যি বাক্য ঈশ্বৰৰ দ্বাৰাই আপোনালোকক
কোৱা হৈছিল বোলে, ৩২ 'মই অব্ৰাহামৰ ঈশ্বৰ, ইচহাকৰ ঈশ্বৰ,
যাকোবৰ ঈশ্বৰ'; তেওঁ মৃত সকলৰ ঈশ্বৰ নহয়, কিন্তু জীৱিত সকলৰহে
ঈশ্বৰ।" ৩৩ ইয়াকে শুনি, লোক সকলে তেওঁৰ উপদেশত বিস্ময়
মানিলে। ৩৪ যেতিয়া ফৰীচী সকলে শুনিলে যে, যীচুৱে চদ্দূকী সকলক
নিৰুত্তৰ কৰিছে, তেতিয়া তেওঁলোক একগোট হ'ল; ৩৫ তেওঁলোকৰ
মাজৰ এজন বিধান পণ্ডিতে তেওঁক পৰীক্ষা কৰি সুধিলে- ৩৬ "হে
গুৰু, বিধানৰ কোনটো আজ্ঞা প্ৰধান?" ৩৭ যীচুৱে তেওঁক ক'লে,
"'তুমি সকলো হৃদয়, সকলো প্ৰাণ, আৰু সকলো চিত্তেৰে তোমাৰ প্ৰভু
পৰমেশ্বৰক প্ৰেম কৰা।' ৩৮ এইটোৱেই প্ৰধান আৰু প্ৰথম আজ্ঞা। ৩৯
এইদৰে দ্বিতীয়টো আজ্ঞা হ'ল- 'তোমাৰ চুবুৰীয়াক তোমাৰ নিচিনাকৈ
প্ৰেম কৰা'। ৪০ এই দুটাআজ্ঞাই গোটেইবিধান আৰু ভাববাদী সকলৰ
কথাক নিৰ্ভৰ কৰে।" ৪১ ফৰীচী সকল গোট খাই থাকোঁতে, যীচুৱে
তেওঁলোকক এটা প্ৰশ্ন সুধিলে, ৪২ তেওঁ সুধিলে, "খ্ৰীষ্টৰ বিষয়ে
আপোনালোকৰ মনে কি ধৰে? তেওঁ কাৰ সন্তান?" তেওঁলোকে
তেওঁক ক'লে, "দায়ুদৰ সন্তান"। ৪৩ যীচুৱে তেওঁলোকক ক'লে,
"তেনেহলে দায়ুদে কেনেকৈ আত্মাৰ দ্বাৰাই প্ৰভু বুলিলে আৰু ক'লে,
৪৪ প্ৰভুৱে মোৰ প্ৰভুক ক'লে, মই তোমাৰ শত্ৰুবোৰক তোমাৰ চৰণৰ
অধীন নকৰালৈকে, মোৰ সোঁ হাতে বহি থাকা। ৪৫ এতেকে দায়ুদে
যদি খ্ৰীষ্টক প্ৰভু বোলে, তেনেহলে তেওঁ কেনেকৈ তেওঁৰ সন্তান হ'ব
পাৰে?" ৪৬ তেতিয়া কোনেও তেওঁক একো উত্তৰ দিব নোৱাৰিলে;

আৰু সেই দিনাৰে পৰা তেওঁক কোনো কথা সুধিবলৈকো কাৰো সাহস
নহ’ল।

২৩ তেতিয়া যীচুৱে লোক সকলক আৰু তেওঁৰ শিষ্য সকলক ক’লে,
২ তেওঁ ক’লে “বিধানৰ অধ্যাপক আৰু ফৰীচী সকল মোচিৰ আসনত
বহি আছে। ৩ এই কাৰণে তেওঁলোকে তোমালোকক যি আজ্ঞা দিয়ে,
সেই সকলোকে পালন আৰু মান্য কৰিবা; কিন্তু তেওঁলোকৰ কৰ্মৰ দৰে
নকৰিবা; কিয়নো তেওঁলোকে যি দৰে কয়, সেইদৰে নকৰে। ৪ হয়,
তেওঁলোকে গধূৰ আৰু অসহনীয় ভাৰ বান্ধি মানুহবোৰৰ কান্ধত দিয়ে,
কিন্তু নিজে এটা আঙুলিৰেও সেই ভাৰ লৰাবলৈ ইচ্ছা নকৰে। ৫
তেওঁলোকে মানুহক দেখুৱাবলৈ নিজৰ সকলো কৰ্ম কৰে; তেওঁলোকে
নিজৰ নিজৰ তাবিজ ডাঙৰকৈ লয়, আৰু কাপোৰৰ দহি দীঘলকৈ
ৰাখে। ৬ ভোজত প্ৰধান ঠাই, আৰু নাম-ঘৰত প্ৰধান আসন, ৭ হাট-
বজাৰত নমস্কাৰ আৰু লোক সকলে ‘ৰব্বি’সম্বোধন কৰিলে তেওঁলোকে
ভালপায়। ৮ কিন্তু তোমালোকে হ’লে, ‘ৰব্বি’বুলি মতা নহ’বা; কিয়নো
এজন তোমালোকৰ গুৰু আছে, আৰু তোমালোক সকলো ভাই ভাই। ৯
পৃথিৱীত কাকো পিতৃ বুলি নামাতিবা; কিয়নো এজন, অৰ্থাৎ স্বৰ্গত থকা
জনাই তোমালোকৰ পিতৃ। ১০ আৰু তোমালোকে আচাৰ্য্যবুলি মতা
নহ’বা; কিয়নো খ্ৰীষ্টই তোমালোকৰ আচাৰ্য্য। ১১ কিন্তু তোমালোকৰ
মাজত যি জন শ্ৰেষ্ঠ, তেওঁ তোমালোকৰ পৰিচাৰক হ’ব। ১২ যি
কোনোৱে নিজকে নিজে বৰ বুলি মানিব, তেওঁক সৰু কৰা হ’ব;
আৰু যি কোনোৱে নিজকে নিজে সৰু বুলি মানিব, তেওঁক বৰ কৰা
হ’ব। ১৩ কিন্তু হায় হায় কপটীয়া বিধানৰ অধ্যাপক আৰু ফৰীচী
সকল! আপোনালোক সন্তাপৰ পাত্ৰ; কিয়নো মানুহবোৰৰ আগত
আপোনালোকে স্বৰ্গৰাজ্যৰ দুৱাৰ বন্ধ কৰিছে; কাৰণ আপোনালোকে
নিজেও নোসোমাই, আৰু সোমাবলৈ ধৰা সকলকো সোমাবলৈ নিদিয়ে।
১৪ হায় হায় কপটীয়া, অধ্যাপক আৰু ফৰীচী সকল! আপোনালোকে
বাৰী-বিধৱা সকলৰ ঘৰ-বাৰী গ্ৰাস কৰে আৰু দীঘল প্ৰাৰ্থনাৰে ছদ্মবেশ
ধৰে, এই হেতুকে আপোনালোকে অধিক দণ্ড পাব। ১৫ হায় হায়
কপটীয়া, বিধানৰ অধ্যাপক আৰু ফৰীচী সকল! আপোনালোক সন্তাপৰ

পাত্ৰ; কিয়নো আপোনালোকে এজনক ইহুদী ধৰ্ম দিবলৈ, সাগৰ আৰু
পৃথিৱী ঘূৰি ফুৰে; আৰু যেয়ে লয়, সেই জনক নিজতকৈয়ো দুগুণ নৰকী
কৰে। (Geenna g1067) ১৬ হায় হায় অন্ধ পথ প্ৰৰ্দশক! আপোনালোক
সন্তাপৰ পাত্ৰ; কিয়নো আপোনালোকে কয় যে, মন্দিৰত ধৰি শপত
খালে একো নহয়; কিন্তু যি জনে মন্দিৰৰ সোণত ধৰি শপত খায়,
তেওঁহে ধৰুৱা হয়। ১৭ হে নিৰ্ব্বোধ আৰু অন্ধ সকল, সোণ আৰু সোণক
পবিত্ৰ কৰা যি মন্দিৰ, এই দুয়োৰো মাজত কোনটো শ্ৰেষ্ঠ? ১৮
আপোনালোকে কয় যে, বেদিত ধৰি শপত খালে, একো নহয়; কিন্তু
যি জনে তাৰ ওপৰৰ নৈবেদ্যত ধৰি শপত খায়, তেওঁহে ধৰুৱা। ১৯
হে অন্ধ সকল, নৈবেদ্য আৰু নৈবেদ্যক পবিত্ৰ কৰা যি বেদি, এই
দুয়োৰো মাজত কোনটো শ্ৰেষ্ঠ? ২০ এতেকে যি কোনোৱে বেদিত ধৰি
শপত খায়, তেওঁ বেদিত আৰু তাৰ ওপৰৰ সকলোতে ধৰি শপত
খোৱা হয়; ২১ আৰু যি কোনোৱে মন্দিৰত ধৰি শপত খায়, তেওঁ
মন্দিৰ আৰু তাত বাস কৰা জনতো ধৰি শপত খোৱা হয়। ২২ যি
কোনোৱে স্বৰ্গৰ নামে শপত খায়, তেওঁ ঈশ্বৰৰ সিংহাসন আৰু তাৰ
ওপৰত বহা জনৰ নামেৰেও শপত খায়। ২৩ হায় হায় কপটীয়া,
বিধানৰ অধ্যাপক আৰু ফৰীচী সকল! আপোনালোক সন্তাপৰ পাত্ৰ;
কিয়নো আপোনালোকে পদিনা, গুৱামুৰি, আৰু জীৰাৰ দশম ভাগ দান
কৰে, কিন্তু বিধানৰ মাজৰ গুৰুত্বপূৰ্ণ যি ভাগ, ন্যায়-বিচাৰ, দয়া আৰু
বিশ্বাস, এইবোৰৰ ভাগ হলে নিদিয়ে। কিন্তু এইবোৰ পালন কৰা,
আৰু সেইবোৰক ত্যাগ নকৰা আপোনালোকৰ উচিত আছিল। ২৪ হে
অন্ধ পথদৰ্শক সকল, আপোনালোকে পোক এটাকে ছেকি পেলাই,
কিন্তু উটকে গিলি খায়! ২৫ হায় হায় কপটীয়া, বিধানৰ অধ্যাপক আৰু
ফৰীচী সকল! আপোনালোক সন্তাপৰ পাত্ৰ; কিয়নো আপোনালোকে
বাটি-কাঁহীৰ বাহিৰফাল শুচি কৰে, কিন্তু ভিতৰফাল অপহৰণ আৰু
অতিশয্যৰে পৰিপূৰ্ণ। ২৬ হে অন্ধ ফৰীচী সকল, আপোনালোকে
আগেয়ে বাটি-কাঁহীৰ ভিতৰফাল পৰিষ্কাৰ কৰক, তেতিয়াহে তাৰ
বাহিৰ ফালো শুচি হ'ব। ২৭ হায় হায় কপটীয়া, বিধানৰ অধ্যাপক আৰু
ফৰীচী সকল! আপোনালোক সন্তাপৰ পাত্ৰ৷ আপোনালোক বগাকৈ

লিপা মৈদামৰ নিচিনা; সেইবোৰৰ বাহিৰফাল দেখিবলৈ সুন্দৰ, কিন্তু
ভিতৰফাল মৰা মানুহৰ হাড় আৰু সকলো প্ৰকাৰ মলিৰে পৰিপূৰ্ণ৷ ২৮
সেইদৰে আপোনালোকো বাহিৰফালে মানুহে দেখাত ধাৰ্মিক; কিন্তু
ভিতৰত, কপট আৰু অধৰ্মেৰে পূৰ হৈ আছে। ২৯ হায় হায় কপটীয়া,
বিধানৰ অধ্যাপক আৰু ফৰীচী সকল। আপোনালোক সন্তাপৰ পাত্ৰ;
কিয়নো আপোনালোকে ভাববাদী সকলৰ মৈদাম বান্ধিছে, আৰু
ধাৰ্মিক সকলৰ মৈদাম শোভিত কৰিছে৷ ৩০ আপোনালোকে কয়
যে, 'আমাৰ পূৰ্ব-পুৰুষ সকলৰ দিনত আমি থকা হ'লে, ভাৱবাদী
সকলৰ ৰক্তপাতত তেওঁলোকৰ সঙ্গী নহলোহেঁতেন'। ৩১ এইদৰে,
আপোনালোক যে ভাববাদী সকলক বধ কৰোঁতা সকলৰ সন্তান, এই
বিষয়ে আপোনালোকে নিজেই নিজৰ পক্ষত সাক্ষ্য দিছা। ৩২ এই
হেতুকে চোৱা, আপোনালোকেও নিজৰ পূৰ্বপুৰুষ সকলৰ জোখৰ পাত্ৰ
পূৰ কৰক। ৩৩ হে সৰ্পগণ, কালসৰ্পৰ বংশ, আপোনালোকে নো
কেনেকৈ নৰকৰ সোধ-বিচাৰৰ পৰা সাৰিব? **(Geenna g1067)** ৩৪ এই
কাৰণে চাওক, মই আপোনালোকৰ ওচৰলৈ ভাববাদী, জ্ঞানী আৰু
বিধানৰ অধ্যাপক সকলক পঠাওঁ; তেওঁলোকক আপোনালোকে বধ
কৰিব, ক্রুচত দিব; কিছুমানক আপোনালোকে নাম-ঘৰত কোবাব,
আৰু নগৰে নগৰে তাড়না কৰিব। ৩৫ তাতে ধাৰ্মিক হেবলৰ ৰক্তপাতৰ
পৰা, বৰখিয়াৰ পুতেক যি জখৰিয়াক আপোনালোকে মন্দিৰ আৰু
বেদিৰ মাজত বধ কৰিছিল, তেওঁৰ ৰক্তপাতলৈকে পৃথিৱীৰ ওপৰত
সকলো ধাৰ্মিকৰ ৰক্তপাতৰ দোষ আপোনালোকৰ ওপৰত পৰিব। ৩৬
মই আপোনালোকক সঁচাকৈ কওঁ, এইবোৰ এই কালৰ লোক সকললৈ
হ'ব।” ৩৭ “যিৰূচালেম, যিৰূচালেম, যি জনে ভাববাদী সকলক বধ
কৰে আৰু তোমাৰ ওচৰলৈ পঠোৱা সকলক শিল দলিয়াই মাৰে,
কিমান বাৰ মই তোমালোকৰ সন্তান সকলক একলগ কৰিবলৈ যত্ন
কৰিলোঁ, কুকুৰাই যেনেকৈ নিজৰ পোৱালিবোৰক ডেউকাৰ তলত
চপাই লয়, তেনেকৈ ময়ো তোমাৰ সন্তানবোৰক চপাই লবলৈ ইচ্ছা
কৰিছিলোঁ, কিন্তু তুমি সন্মত নহলা। ৩৮ চোৱা, তোমাৰ ঘৰ তোমাৰ
বাবে পৰিত্যক্ত হৈছে; ৩৯ কিয়নো মই তোমাক কওঁ, প্ৰভুৰ নামেৰে যি

জন আহিছে তেওঁ ধন্য, এই কথা নোকোৱালৈকে তুমি এতিয়াৰ পৰা
পুনৰ মোক দেখিবলৈ নাপাবা।”

**২৪** যীচু ধৰ্মধামৰ পৰা ওলাই যাওঁতে, তেওঁৰ শিষ্য সকলে তেওঁক
মন্দিৰৰ গাঁথনিবোৰ দেখুৱাবলৈ ওচৰলৈ আহিল। ২ কিন্তু তেওঁ উত্তৰ
দি তেওঁলোকক ক’লে, “তোমালোকে এই সকলোকে নেদেখিছা
নে? মই তোমালোকক স্বৰূপকৈ কওঁ, যি শিল পেলোৱা নহব, ইয়াত
এনে এটা শিলো আন এটা শিলৰ ওপৰত ৰখা নহ’ব।” ৩ পাছত
তেওঁ যেতিয়া জৈতুন পৰ্বতৰ ওপৰত বহিল, তেতিয়া শিষ্য সকলে
গুপুতে তেওঁৰ ওচৰলৈ আহি সেই বিষয়ে সুধিলে, “এইবোৰ কেতিয়া
হ’ব? আপোনাৰ আগমণ আৰু এই জগতৰ শেষ হোৱাৰ চিন কি?
সেই বিষয়েও আমাক কওক।” (aiōn g165) ৪ তেতিয়া যীচুৱে উত্তৰ
দি তেওঁলোকক ক’লে, “কোনেও যেন তোমালোকক নুভুলায়, এই
বিষয়ে সাৱধান হোৱা। ৫ কিয়নো অনেকে মোৰ নামেৰে আহি, ‘মই
খ্ৰীষ্ট’ বুলি অনেকক ভুলাব। ৬ তোমালোকে ৰণৰ কথা আৰু যুদ্ধৰ
সম্ভাৱনাৰ বাতৰি শুনিবা৷ সাৱধান হোৱা, ব্যাকুল নহ’বা; কিয়নো
এইদৰে ঘটিব লাগে; কিন্তু তেতিয়াও শেষ নহব। ৭ জাতিৰ বিৰুদ্ধে
জাতি, ৰাজ্যৰ বিৰুদ্ধে ৰাজ্যৰ উঠিব, ঠায়ে ঠায়ে আকাল আৰু ভূমিকম্প
হ’ব৷ ৮ এই সকলো মাথোন প্ৰসৱ যাতনাৰ আৰম্ভণিহে। ৯ সেই
কালত ক্লেশভোগ কৰিবলৈ মানুহবোৰে তোমালোকক শত্ৰুৰ হাতত
শোধাই দিব, বধো কৰিব৷ মোৰ নামৰ কাৰণে তোমালোকে সকলো
জাতিৰ ঘৃণাৰ পাত্ৰ হ’বা। ১০ তেতিয়া অনেকে বিশ্বাসত বিঘিনি পাব,
ইজনে সিজনক শত্ৰুৰ হাতত শোধাই দিব আৰু ইজনে সিজনক ঘিণ
কৰিব। ১১ বহুতো মিছা-কোৱা ভাববাদী ওলাই অনেকক ভুলাব৷ ১২
কাৰণ অধৰ্ম অধিক হোৱাত, অনেকৰ প্ৰেম চেঁচা হৈ যাব। ১৩ কিন্তু যি
জনে শেষলৈকে সহি থাকে, সেই জনেই পৰিত্ৰাণ পাব। ১৪ সকলো
জাতিৰ আগত সাক্ষ্য হবৰ বাবে স্বৰ্গৰাজ্যৰ এই শুভবাৰ্তা যেতিয়া
গোটেই জগতত ঘোষণা কৰা হ’ব; তেতিয়াহে শেষ সময় উপস্থিত
হ’ব। ১৫ এই হেতুকে যি অৱহেলিত ধ্বংসকাৰী ঘিণলগীয়া বস্তুৰ কথা
দানিয়েল ভাৱবাদীৰ দ্বাৰাই কোৱাহৈছিল, তাক তেতিয়া পবিত্ৰ ঠাইত

থকা দেখিবা৷ এই বিষয়েযি জনে পঢ়ে, তেওঁ বুজক৷ ১৬ তেতিয়া
যিহুদীয়াত থকা মানুহবোৰ পৰ্বতলৈ পলাই যাওঁক; ১৭ ঘৰৰ ওপৰত
থকা জনে, তেওঁৰ ঘৰৰ পৰা বস্তুবোৰ উলিয়াই নিবলৈ নানামক; ১৮
পথাৰত থকা জনে, তেওঁৰ কাপোৰ খন লবলৈ উলটি নাযাওঁক। ১৯
কিন্তু সেই কালত গৰ্ভৱতী আৰু নিজৰ কেচুৱাক প্ৰতিপালন কৰি থকা
তিৰোতা সকলৰ সন্তাপ হ'ব। ২০ তোমালোকৰ পলোৱা সেইদিন
যেন জাৰকালি বা বিশ্ৰামবাৰে নহয়, ইয়াৰ কাৰণে প্ৰাৰ্থনা কৰা। ২১
কিয়নো সেই কালত মহাক্লেশ হ'ব, জগতৰ আদিৰে পৰা এতিয়ালৈকে
তেনে ক্লেশ কেতিয়াও হোৱা নাই আৰু নহবও। ২২ সেই দিনৰ সংখ্যা
কম নকৰা হ'লে কোনো মানুহৰ ৰক্ষা নহলহেঁতেন; কিন্তু মনোনীত
লোকৰ কাৰণে সেই দিনৰ সংখ্যা কম কৰা হ'ব। ২৩ তেতিয়া যদিও
তোমালোকক কোনোৱে কয়, 'চোৱা, খ্ৰীষ্ট ইয়াত আছে' বা 'তাত
আছে'! তথাপি বিশ্বাস নকৰিবা। ২৪ কিয়নো ভুৱা খ্ৰীষ্ট আৰু ভুৱা
ভাৱবাদীবোৰ ওলাই এনে মহৎ চিন আৰু অদ্ভুত লক্ষণ দেখুৱাব যে,
সাধ্য হ'লে, মনোনীত লোক সকলকো ভুলাব। ২৫ চোৱা, এই কথা
মই আগেয়ে তোমালোকক কলোঁ। ২৬ এই হেতুকে কোনো মানুহে
আহি যদি তোমালোকক কয়, 'চোৱা, খ্ৰীষ্ট মৰুপ্ৰান্তত আছে'; তেনেহলে
ওলাই নাযাবা; নাইবা, 'চোৱা, তেওঁ ভিতৰ-কোঠালীত আছে' বুলিলেও
বিশ্বাস নকৰিবা। ২৭ কিয়নো বিজুলীয়ে যেনেকৈ পূবৰ পৰা ওলাই
পশ্চিমলৈ চমকনি মাৰে, তেনেকৈ মানুহৰ পুত্ৰৰো আগমণ হ'ব। ২৮
য'ত মৰা শ থাকে, সেই ঠাইত শগুনো গোট খায়। ২৯ কিন্তু সেই
কালৰ ক্লেশৰ পাছতেই সূৰ্য অন্ধকাৰময় হ'ব, চন্দ্ৰয়ো পোহৰ নিদিব;
আকাশৰ পৰা তৰাবোৰ খহি পৰিব আৰু আকাশৰ পৰাক্ৰমবোৰ
লৰোৱা হ'ব। ৩০ যেতিয়া আকাশত মানুহৰ পুত্ৰৰ চিন প্ৰকাশিত
হ'ব; তেতিয়া পৃথিৱীৰ সকলো ফৈদে হিয়া ভুকুৱাব৷ আকাশত মেঘৰ
ওপৰত মানুহৰ পুত্ৰক পৰাক্ৰম আৰু মহা প্ৰতাপেৰে অহা দেখিব। ৩১
তেতিয়া তূৰীৰ মহাশব্দেৰে তেওঁ নিজৰ দূত সকলক পঠাব; তাতে
তেওঁলোকে আকাশৰ এক সীমাৰ পৰা আন সীমালৈকে চাৰিওফালৰ
পৰা তেওঁৰ মনোনীত লোক সকলক আনি গোটাব। ৩২ ডিমৰু গছৰ

পৰা এটা দৃষ্টান্ত শিকা৷ যেতিয়া তাৰ ঠাল কোমল হৈ কুঁহিপাত মেলে,
তেতিয়া জহকাল ওচৰ হৈছে বুলি তোমালোকে জানা। ৩৩ সেইদৰে
যেতিয়া এই সকলোকে দেখিবা, তেতিয়া তেওঁ ওচৰ চাপি দুৱাৰমুখ
পালেহি বুলি তোমালোকে জানিবা। ৩৪ মই তোমালোকক সঁচাকৈ
কওঁ, এই সকলো নঘটে মানে এই কালৰ মানুহবোৰ লুপ্ত নহ'ব। ৩৫
আকাশ আৰু পৃথিৱী লুপ্ত হ'ব, কিন্তু মোৰ বাক্য হলে কেতিয়াও লুপ্ত
নহ'ব। ৩৬ কিন্তু অকল পিতৃৰ বাহিৰে স্বৰ্গৰ দূতবোৰ বা পুত্ৰ বা আন
কোনেও সেইদিন আৰু সময় নাজানে। ৩৭ নোহৰ দিনৰদৰে সেইদিনা
মানুহৰ পুত্ৰৰ আগমণ হ'ব। ৩৮ কিয়নো জলপ্লাৱনৰ আগেয়ে নোহ
জাহাজত সুমুৱা দিনলৈকে যেনেকৈ মানুহবোৰে ভোজন-পান কৰি
বিয়া কৰাই, বিয়া দি আছিল, ৩৯ আৰু জলপ্লাৱন আহি সকলোকে
উটুৱাই নিনিয়ালৈকে জ্ঞান নাপালে, সেইদৰেই মানুহৰ পুত্ৰৰ আগমণ
হ'ব। ৪০ তেতিয়া দুজন মানুহ পথাৰত থাকোঁতে এজনক গ্ৰহণ কৰা
হ'ব আৰু এজনক ত্যাগ কৰা হ'ব। ৪১ দুজনী তিৰোতাই জাঁতেৰে ডলি
থাকোতে এজনীক গ্ৰহণ কৰা হব আৰু এজনীক ত্যাগ কৰা হ'ব। ৪২
এই হেতুকে পৰ দি থাকা; কিয়নো তোমালোকৰ প্ৰভু কোন মুহুৰ্ত্তত
আহিব, সেই বিষয়ে তোমালোকে নাজানা। ৪৩ কোন পৰত চোৰ
আহিব, সেই বিষয়ে গৃহস্থ জনে আগেয়ে জনা হ'লে পৰ দি থাকি
নিজৰ ঘৰত সিন্ধি দিব নিদিলেহেঁতেন; ইয়াক তোমালোকে জানা। ৪৪
এতেকে তোমালোকো যুগুত হৈ থাকা; কিয়নো যি সময় তোমালোকে
নাভাবা, সেই সয়তে মানুহৰ পুত্ৰ আহিব। ৪৫ এই কাৰণে বুদ্ধিমান
আৰু বিশ্বাসী দাস কোন জন হয়, উচিত সময়ত আহাৰ দিবলৈ যি জন
দাসক প্ৰভুৱে সিহঁতৰ ওপৰত গৰাকী পাতিলে সেই জন নহয় নে? ৪৬
প্ৰভু অহা কালত, যি দাসক এইদৰে কৰা দেখে, সেই দাস ধন্য। ৪৭
মই তোমালোকক সঁচাকৈ কওঁ, তেওঁ নিজৰ সৰ্ব্বস্বৰ ওপৰত সেই
জনক ঘৰগিৰী পাতিব। ৪৮ কিন্তু মোৰ প্ৰভুৱে পলম কৰিছে, এই বুলি
সেই দুষ্ট দাসে মনতে কৈ, ৪৯ যদি তাৰ সহদাস সকলক কোবাবলৈ
ধৰে আৰু মতলীয়াবোৰৰ লগত ভোজন-পান কৰে, ৫০ তেনেহলে
যিদিনা সেই দাসে অপেক্ষা নকৰে আৰু যি সময়ৰ বিষয়ে সি নাজানে,

সেই সময়তে তাৰ প্ৰভু আহি, ৫১ তাক দুডোখৰ কৰি কপটীয়া সকলৰ
লগত তাৰ পাবলগীয়া ভাগ নিৰূপণ কৰিব; তাতে ক্ৰন্দন আৰু দাঁত
কৰচনি হ'ব।
২৫ তেতিয়া চাকি লৈ, দৰাক আগবঢ়াবলৈ ওলাই যোৱা দহ জনী
কন্যাৰ লগত স্বৰ্গৰাজ্যৰ তুলনা দিয়া হ'ব। ২ তেওঁলোকৰ মাজত
পাঁচ জনী নিৰ্ব্বুদ্ধি আৰু পাঁচ জনী সুবুদ্ধি আছিল। ৩ কিয়নো নিৰ্ব্বুদ্ধি
কেইজনীয়ে নিজৰ নিজৰ চাকি লওঁতে লগত তেল নল'লে; ৪ কিন্তু
সুবুদ্ধি কেইজনীয়ে তেওঁলোকৰ চাকিৰ লগত নিজৰ নিজৰ পাত্ৰত
তেলো ল'লে। ৫ পাছত দৰা আহোতে পলম হোৱাত, সকলোৱে
কলমটীয়াই টোপনি গ'ল। ৬ কিন্তু মাজনিশা যেতিয়া; 'চোৱা, সৌৱা
দৰা! তেওঁক আগবঢ়াই আনিবলৈ ওলোৱাহঁক', এই বুলি চিঞৰিলে। ৭
তেতিয়া সেই আটাই কেইজনী কন্যাই উঠি, তেওঁলোকৰ জ্বলোৱা চাকি
সাজু কৰি ললে। ৮ এনেতে নিৰ্ব্বুদ্ধি কেইজনীয়ে সুবুদ্ধি কেইজনীক
ক'লে, তোমালোকৰ পৰা অলপ মান তেল আমাক দিয়া; কিয়নো
আমাৰ চাকি নুমাওঁ নুমাওঁ হৈছে। ৯ কিন্তু সুবুদ্ধি কেইজনীয়ে উত্তৰ দি
ক'লে, 'কিজানি তোমালোকক দিলে আমালৈ নুজুৰিব; তাতকৈ তেল-
বেচোঁতাৰ ওচৰলৈ গৈ, তোমালোকৰ কাৰণে কিনি আনাগৈ'। ১০
কিন্তু তেওঁলোকে কিনিবলৈ যাওঁতেই, দৰা আহিল আৰু সাজু হৈ থকা
কেইগৰাকীয়ে তেওঁৰ লগত বিয়াৰ ভোজলৈ গ'ল আৰু দুৱাৰ বন্ধ কৰা
হ'ল৷ ১১ পাছত আন কেইজনী কন্যাই আহি ক'লে, 'হে প্ৰভু, হে প্ৰভু,
আমালৈ দুৱাৰ মেলি দিয়ক'। ১২ কিন্তু তেওঁ উত্তৰ দি ক'লে, 'মই
সঁচাকৈ কওঁ তোমালোকক মই চিনি নাপাও'। ১৩ এতেকে পৰ দি
থাকা; কিয়নো সেইদিন বা সময় তোমালোকে নাজানা। ১৪ কিয়নো
স্বৰ্গৰাজ্য এনে এজন মানুহৰ নিচিনা, যি নিজৰ দাসবোৰক মাতি
আনি নিজ সম্পত্তি সিহঁতৰ হাতত শোধাই দি দূৰ দেশলৈ যায়। ১৫
তেওঁ এজনক পাঁচ গাগৰি, এজনক দুই গাগৰি, এজনক এক গাগৰি,
এইদৰে প্ৰতিজনক যোগ্যতা অনুসাৰে ধন দি যাত্ৰা কৰিলে। ১৬ তাতে
যি জনে পাঁচ গাগৰি পাইছিল, তেওঁ তেতিয়াই গৈ বেপাৰ কৰি পুনৰ
পাঁচ গাগৰি লাভ উলিয়ালে। ১৭ সেইদৰে যি জনে দুই গাগৰি পাইছিল,

তেৰোঁ পুনৰ দুই গাগৰি লাভ উলিয়ালে। ১৮ কিন্তু যি জনে এক গাগৰি
পাইছিল, সি গৈ মাটিত গাত খান্দি প্ৰভুৰ ধন লুকাই থ'লে। ১৯ বহু
দিনৰ পাছত সেই দাসবোৰৰ প্ৰভু আহিল আৰু সিহঁতৰ সৈতে হিচাব
কৰিলে। ২০ তেতিয়া যি জনে পাঁচ গাগৰি পাইছিল, সি আকৌ পাঁচ
গাগৰি আনি ক'লে, 'হে প্ৰভু আপুনি মোক পাঁচ গাগৰি গতাই দিছিল;
চাওক মই পুনৰ পাঁচ গাগৰি লাভ কৰিলোঁ'। ২১ প্ৰভুৰে তেওঁক ক'লে,
'চাবাইচ উত্তম বিশ্বাসী দাস! অলপ বিষয়তে তুমি বিশ্বাসী আছিলা,
তোমাক বহু বিষয়ত গৰাকী পাতিম৷ তুমি তোমাৰ প্ৰভুৰ আনন্দৰ
ভাগী হোৱা৷' ২২ পাছত যি জনে দুই গাগৰি পাইছিল, তেওঁ আহি
ক'লে, 'হে প্ৰভু, আপুনি মোক দুই গাগৰি গতাই দিছিল; চাওক মই
আৰু দুই গাগৰি লাভ কৰিলোঁ'। ২৩ তেতিয়া প্ৰভুৰে তেওঁক ক'লে,
'চাবাইচ উত্তম বিশ্বাসী দাস, তুমি অলপ বিষয়তে বিশ্বাসী আছিলা,
তোমাক অনেক বিষয়ৰ গৰাকী পাতিম৷ তুমি তোমাৰ প্ৰভুৰ আনন্দৰ
ভাগী হোৱা'। ২৪ পাছত যি জনে এক গাগৰি পাইছিল, তেওঁ আহি
ক'লে, 'হে প্ৰভু, আপুনি কঠিন মানুহ, ইয়াক মই জানিছিলোঁ; আপুনি
যি ঠাইত বোৱা নাই তাতে দায় আৰু যি ঠাইত সিঁচা নাই তাতে চপায়;
২৫ সেয়েহে ভয় লাগি, মই গৈ আপোনাৰ ধনৰ গাগৰি মাটিত লুকাই
থৈছিলোঁ৷ চাওক, আপুনি যি দিছিল সেয়া ঘূৰাই পাইছে'। ২৬ কিন্তু
তেওঁৰ প্ৰভুৰে উত্তৰ দি তেওঁক ক'লে, 'হেৰ দুষ্ট আৰু এলেহুৱা দাস,
মই যি ঠাইত নবওঁ তাতে দাওঁ আৰু যি ঠাইত নিসিচোঁ তাতে চপাঁও,
ইয়াকে যদি তুমি জানিছিলা; ২৭ তেনেহলে ধন ভৰালীৰ ওচৰত
মোৰ ধন থব লাগিছিল, তেতিয়া মই আহি সুতে সৈতে মোৰ ধন
পালোহেঁতেন। ২৮ এই কাৰণে এওঁৰ পৰা এই গাগৰি লৈ যাৰ দহ
গাগৰি আছে, তেওঁক দিয়া। ২৯ কিয়নো যাৰ আছে, তেওঁকেই দিয়া
হব, তাতে তেওঁৰ অধিক হ'ব; কিন্তু যাৰ নাই, তেওঁৰ যি আছে, সেয়া
তেওঁৰ পৰা নিয়া হ'ব। ৩০ এই অনুপযুক্ত দাসক বাহিৰৰ আন্ধাৰত
পেলোৱাগৈ; তাতে ক্ৰন্দন আৰু দাঁত কৰচনি হ'ব।' ৩১ "যেতিয়া
মানুহৰ পুত্ৰ সকলো দূতক লগত লৈ নিজৰ প্ৰতাপেৰে আহিব, তেতিয়া
তেওঁ নিজৰ প্ৰতাপৰ সিংহাসনত বহিব৷ ৩২ সকলো জাতিৰ মানুহক

তেওঁৰ আগলৈ গোটাই অনা হ'ব আৰু ৰখীয়াই যেনেকৈ ছাগলীৰ
পৰা মেৰবোৰকপৃথক কৰে, তেনেকৈ তেওঁ তেওঁলোকৰ এজনৰ পৰা
আন জনক পৃথক কৰি, ৩৩ মেৰবোৰক সোঁফালে আৰু ছাগলীবোৰক
বাওঁফালে থ'ব। ৩৪ তেতিয়া ৰজাই তেওঁৰ সোঁফালে থকা সকলক
ক'ব, 'আহা, মোৰ পিতৃৰ আশীৰ্বাদ পোৱা সকল, জগত স্থাপন কৰাৰে
পৰা তোমালোকৰ কাৰণে যুগুত কৰি থোৱা ৰাজ্যৰ অধিকাৰী হোৱা।
৩৫ কিয়নো মোৰ ভোক লাগিছিল, তাতে তোমালোকে মোক খাবলৈ
দিছিলা; মোৰ পিয়াহ লাগিছিল, মোক পান কৰিবলৈ দিছিলা; অতিথি
হৈছিলোঁ, মোক আশ্ৰয় দিছিলা: ৩৬ উদঙে আছিলোঁ, মোক কাপোৰ
পিন্ধাইছিলা; নৰিয়া পৰিছিলোঁ, মোক চাবলৈ গৈছিলা; আৰু বন্দীশালত
আছিলোঁ, তাতো মোৰ ওচৰলৈ গৈছিলা'। ৩৭ তেতিয়া ধাৰ্মিক সকলে
তেওঁক উত্তৰ দি ক'ব, 'হে প্ৰভু আমি কেতিয়া আপোনাৰ ভোক লগা
দেখি, খাবলৈ দিছিলোঁ? পিয়াহ লাগোতে পান কৰাইছিলো? ৩৮
আমি কেতিয়া আপোনাক অচিন-অতিথি হোৱা দেখি আশ্ৰয় দিছিলোঁ?
নাইবা উদঙে থকা দেখি, কাপোৰ পিন্ধাইছিলো? ৩৯ আমি কেতিয়া
আপোনাক নৰিয়া পৰা, বা বন্দীশালত থকা দেখি, আপোনাৰ ওচৰলৈ
গৈছিলোঁ'? ৪০ তেতিয়া ৰজাই উত্তৰ দি তেওঁলোকক ক'ব, 'মই
তোমালোকক সঁচাকৈ কওঁ, মোৰ ভাইবোৰৰ মাজত সৰু এটিলৈকো যি
কৰিছিলা, সেয়া মোলৈহে কৰিছিলা'। ৪১ তেতিয়া তেওঁৰ বাওঁফালে
থকাবোৰক কব, 'হেৰ মোৰ পৰা আতৰি থকা সকল, চয়তান আৰু তাৰ
দূতবোৰৰ কাৰণে যুগুত কৰি থোৱা অনন্ত জুইলৈ তোমালোক গুচি
যোৱা। **(aiōnios g166)** ৪২ কিয়নো মোৰ ভোক লাগিছিল, তোমালোকে
মোক খাবলৈ নিদিলা; পিয়াহ লাগিছিল, মোক পান কৰিবলৈ নিদিলা;
৪৩ অতিথি হৈছিলো, মোক আশ্ৰয় নিদিলা; উদঙে আছিলোঁ, মোক
কাপোৰ নিপিন্ধালা; নৰিয়া আৰু বন্দীশালত পৰিছিলোঁ; মোক চাবলৈ
নগ'লা'। ৪৪ তেতিয়া সিহঁতে উত্তৰ দি ক'ব, 'হে 'প্ৰভু, আমি নো
কেতিয়া আপোনাক ভোক বা পিয়াহ লগা, অতিথি হোৱা, উদঙে
থকা, নৰিয়াত পৰা, বন্দীশালত থকা দেখি আপোনাৰ সেৱা শুশ্ৰূষা
কৰা নাছিলো'? ৪৫ তেতিয়া যীচুৱে তেওঁলোকক উত্তৰ দি ক'ব, 'মই

তোমালোকক সঁচাকৈ কওঁ, এইবোৰৰ সৰু এটিলৈকো যি নকৰিলা,
সেয়া মোলৈহে নকৰিলা’। ৪৬ এই কাৰণে সিহঁত অনন্ত দণ্ডলৈ, কিন্তু
ধাৰ্মিক সকল অনন্ত জীৱনলৈ যাব।” (aiōnios g166)

**২৬** যীচুৱে এই সকলো কথা কৈ শেষ কৰোঁতে, তেওঁৰ শিষ্য সকলক
ক’লে, ২ “তোমালোকে জানা নে দুদিনৰ পাছত নিস্তাৰ-পৰ্ব হ’ব,
মানুহৰ পুত্ৰক ক্রুচত দিবলৈ শত্রুৰ হাতত শোধাই দিয়া হ’ব।” ৩
তেতিয়া প্ৰধান পুৰোহিত আৰু সমাজৰ পৰিচাৰক সকল কায়াফা
নামেৰে মহা-পুৰোহিতৰ চোতালত গোট খালে; ৪ তেওঁলোকে যীচুক
ছলেৰে ধৰি বধ কৰিবলৈ আলোচনা কৰিলে৷ ৫ তেওঁলোকে ক’লে,
‘ভোজৰ সময়ত নহয়, কিয়নো লোক সকলৰ মাজত হুৰামুৰা লাগিব৷’
৬ পাছত যীচু বৈথনিয়া গাঁৱত চিমোন নামৰ কুষ্ঠৰোগীৰ ঘৰত থকা
সময়ত ৭ এগৰাকী মহিলাই বহুমুলীয়া সুগন্ধি ভৰা এটা বগা তেলৰ
বটল লৈ যীচু ভোজনত বহি থাকোঁতে, তেওঁৰ মুৰত বাকি দিলেহি। ৮
শিষ্য সকলে তাকে দেখি ক্রুদ্ধ হৈ ক’লে, ‘কি কাৰণে এইদৰে অপচয়
কৰিছা? ৯ কিয়নো ইয়াক বেছি ধনত বিক্ৰী কৰি দৰিদ্ৰ সকলক দান
কৰিব পৰা গ’লহেঁতেন’। ১০ কিন্তু যীচুৱে, ইয়াকে জানিবলৈ পায়,
তেওঁলোকক ক’লে, “এই মহিলা জনীক কিয় অসুবিধা দিছা? কাৰণ
তেওঁ মোলৈ উত্তম কৰ্ম কৰিলে। ১১ কিয়নো দৰিদ্ৰ সকল তোমালোকৰ
লগত সদায় আছে; কিন্তু তোমালোকৰ লগত মই সদায় নাথাকো৷
১২ এই কাৰণে তেওঁ এই সুগন্ধি তেল যে মোৰ শৰীৰত বাকি দিলে;
এয়া মোক মৈদামত থবৰ অৰ্থেহে কৰিলে। ১৩ মই তোমাক সঁচাকৈ
কওঁ, গোটেই জগতৰ যি যি ঠাইত এই শুভবাৰ্তা ঘোষণা কৰা হ’ব,
সেই ঠাইতে এই যি কৰ্ম মহিলা গৰাকীয়ে কৰিলে, তেওঁক সুঁৱৰিবলৈ,
ইয়াকো কোৱা হ’ব।” ১৪ তেতিয়া বাৰ জনৰ মাজৰ, ঈষ্কৰিয়োতীয়া
যিহূদা নামেৰে এজনে প্ৰধান পুৰোহিত সকলৰ ওচৰলৈ গ’ল, ১৫ আৰু
ক’লে “মই আপোনালোকৰ হাতত তেওঁক শোধাই দিলে, মোক কি
দিবলৈ ইচ্ছা কৰে”? তাতে তেওঁলোকে তেওঁক ত্ৰিশ টা ৰূপৰ মুদ্ৰা
দিম বুলি ক’লে৷ ১৬ তেতিয়াৰে পৰা তেওঁ যীচুক শোধাই দিবলৈ
সুযোগ বিচাৰি থাকিল। ১৭ পাছত খমিৰ নোহোৱা পিঠাৰ পৰ্বৰ প্ৰথম

দিনা শিষ্য সকলে যীচুৰ ওচৰলৈ আহি সুধিলে, “নিস্তাৰ-পৰ্ব ভোজ
আপোনাৰ কাৰণে আমি ক’ত যুগুত কৰাটো বিচাৰে”? ১৮ তেওঁ
ক’লে, “নগৰলৈ গৈ নিৰ্দিষ্ট জনক কোৱাগৈ, গুৰুৱে কৈছে, মোৰ কাল
ওচৰ হৈছে; মোৰ শিষ্য সকলে সৈতে মই তোমাৰ ঘৰত নিস্তাৰ-পৰ্বৰ
ভোজ পালন কৰিম”। ১৯ তেতিয়া শিষ্য সকলে যীচুৱে আদেশ দিয়াৰ
দৰে নিস্তাৰ-পৰ্বৰ ভোজ যুগুত কৰিলেগৈ। ২০ পাছত সন্ধিয়া হোৱা
সময়ত তেওঁ বাৰ জন শিষ্যৰ সৈতে ভোজনত বহিল; ২১ এনেতে
তেওঁলোকে ভোজন কৰোঁতে, তেওঁ ক’লে, ‘মই তোমালোকক সঁচাকৈ
কওঁ, তোমালোকৰ মাজৰ এজনে মোক শোধাই দিব’। ২২ তেতিয়া
তেওঁলোকে অতি দুখিত হৈ, প্ৰতিজনে যীচুক সুধিবলৈ ধৰিলে, ‘হে
প্ৰভু, সেই জন মই নে’? ২৩ যীচুৱে উত্তৰ দি ক’লে, ‘মোৰে সৈতে যি
জনে ভোজন-পাত্ৰত হাত জুবুৰিয়ালে, তেৱেঁই মোক শোধাই দিব।
২৪ মানুহৰ পুত্ৰৰ বিষয়ে যেনেকৈ লিখা আছে, তেনেকৈ তেওঁৰ গতি
হ’ব; কিন্তু যি মানুহৰ দ্বাৰাই মানুহৰ পুত্ৰক শোধাই দিয়া হয়, তেওঁ
সন্তাপৰ পাত্ৰ; সেই মানুহৰ জন্ম নোহোৱা হ’লেই ভাল আছিল’। ২৫
তেতিয়া তেওঁক শোধাই দিয়া যিহূদাই মাত লগাই ক’লে, ‘ৰব্বি, সেই
জন মই নে’? তেওঁ তেওঁক ক’লে, “তুমি নিজকে নিজেই ক’লা”।
২৬ পাছত তেওঁলোকে ভোজন কৰোঁতে, যীচুৱে পিঠা লৈ আশীৰ্বাদ
কৰি ভাঙি শিষ্য সকলক দি ক’লে, “লোৱা, খোৱা এয়ে মোৰ শৰীৰ”।
২৭ পাছত তেওঁ পান-পাত্ৰকো লৈ স্তুতি কৰি, তেওঁলোকক দি ক’লে,
“লোৱা, তোমালোকে সকলোৱে পান কৰা; ২৮ কিয়নো মোৰ যি তেজ,
এয়া নিয়মৰ তেজ৷ অনেকৰ পাপ মোচনৰ কাৰণে উলিওৱা হৈছে,
সেয়ে এই। ২৯ কিন্তু মই তোমালোকক কওঁ, তোমালোকে সৈতে
মই মোৰ পিতৃৰ ৰাজ্যত ন ৰস পান নকৰা দিনলৈকে, এতিয়াৰ পৰা
এই দ্ৰাক্ষাগুটিৰ ৰস পান নকৰোঁ”। ৩০ পাছত তেওঁলোকে বাহিৰ
ওলাই গীত গাই গাই জৈতুন পৰ্বতলৈ গ’ল। ৩১ তেতিয়া যীচুৱে
তেওঁলোকক ক’লে, “এই ৰাতি তোমালোক সকলোৱে মোক এৰি
যাবা; কিয়নো লিখা আছে, ‘মই মেৰৰখীয়াক আঘাত কৰিম তাতে
জাকৰ মেৰবোৰ ছিন্ন-ভিন্ন হৈ যাবা’ ৩২ কিন্তু মোৰ উত্থানৰ পাছত

মই তোমালোকৰ আগে আগে গালীল প্ৰদেশলৈ যাম।” ৩৩ তেতিয়া
পিতৰে তেওঁক ক’লে, “সকলোৱে আপোনাত বিঘিনি পাই আতৰি
গলেও, মই কেতিয়াও নাযাও”। ৩৪ যীচুৱে তেওঁক ক’লে, “মই
তোমাক স্বৰূপকৈ কওঁ, এই ৰাতি কুকুৰাই ডাক দিয়াৰ আগেয়ে, তুমি
মোক তিনি বাৰ অস্বীকাৰ কৰিবা”। ৩৫ পিতৰে তেওঁক ক’লে, “যদি
আপোনাৰ লগত মই মৰিবও লাগে, তথাপি আপোনাক অস্বীকাৰ
নকৰিম”। সেইদৰে সকলো শিষ্যয়ো ক’লে। ৩৬ তেতিয়া যীচুৱে
তেওঁলোকৰ সৈতে গেৎচিমানী নামেৰে এখন ঠাইলৈ গৈ, তেওঁৰ শিষ্য
সকলক ক’লে, “মই সৌখিনিলৈ গৈ প্ৰাৰ্থনা কৰি অহালৈকে তোমালোক
ইয়াতে বহি থাকা”। ৩৭ পাছত তেওঁ পিতৰক আৰু চিবদিয়ৰ পুতেক
দুজনক লগত লৈ শোকাকুল আৰু ব্যাকুল হ’বলৈ ধৰিলে। ৩৮ তেতিয়া
তেওঁ তেওঁলোকক ক’লে, “মোৰ প্ৰাণ মৰণৰ তুল্য শোকাতুৰ হৈছে;
তোমালোক ইয়াতে থাকি মোৰ লগত পৰ দিয়া”। ৩৯ পাছত তেওঁ
অলপ আগুৱাই গৈ উবুৰি হৈ পৰি প্ৰাৰ্থনা কৰি ক’লে “হে মোৰ পিতৃ,
যদি সম্ভব হয়, তেনেহলে এই দূখৰ পান-পাত্ৰ মোৰ পৰা দুৰ হওক;
তথাপি মোৰ ইচ্ছাৰ দৰে নহয়, তোমাৰ ইচ্ছাৰ দৰেই হওক।” ৪০
পাছত শিষ্য সকলৰ ওচৰলৈ আহি, তেওঁলোকক টোপনি যোৱা দেখি,
তেওঁ পিতৰক ক’লে, “তোমালোকে মোৰ লগত এঘণ্টাও পৰ দি
থাকিব নোৱাৰিলা নে? ৪১ পৰীক্ষাত যেন নপৰা, এই কাৰণে পৰ দি
প্ৰাৰ্থনা কৰা; আত্মা ইচ্ছুক, কিন্তু শৰীৰ দূৰ্বল”। ৪২ পুনৰায় তেওঁ
দ্বিতীয় বাৰ গৈ, প্ৰাৰ্থনা কৰি ক’লে, “হে মোৰ পিতৃ, মই পান নকৰাকৈ
যদি এই দূখৰ পান-পাত্ৰ দুৰ হ’ব নোৱাৰে, তেনেহলে তোমাৰ ইচ্ছাই
পুৰ হওক”। ৪৩ পাছত তেওঁ পুনৰায় আহি তেওঁলোকক টোপনি
যোৱা দেখিলে; কিয়নো তেওঁলোকৰ চকু টোপনিত জাপ খাই গৈছিল।
৪৪ পুনৰায় তেওঁ তেওঁলোকক এৰি থৈ, তৃতীয়বাৰো একে কথাকে
কৈ প্ৰাৰ্থনা কৰিলে। ৪৫ তেতিয়া তেওঁ শিষ্য সকলৰ ওচৰলৈ আহি,
তেওঁলোকক ক’লে, “বাৰু, এতিয়া টোপনিত থাকি বিশ্ৰাম কৰা? চোৱা,
সময় ওচৰ হ’ল আৰু মানুহৰ পুত্ৰক পাপীবোৰৰ হাতত শোধাই দিয়া
হৈছে। ৪৬ উঠা, আমি যাওঁহক; চোৱা, মোক শোধাই দিয়া জন ওচৰ

পালেহি।” ৪৭ যীচুৱে কথা কৈ থাকোতেই, চোৱা, বাৰ জনৰ মাজৰ
যিহূদা আৰু তেওঁৰে সৈতে প্ৰধান পুৰোহিত আৰু সমাজৰ পৰিচাৰক
সকল তৰোৱাল আৰু টাঙোন ধৰা মানুহৰ ডাঙৰ দল এটা সেই ঠাইলৈ
আহিল। ৪৮ তেওঁক শোধাই দিয়া জনে তেওঁলোকক এই চিনেৰে
সঙ্কেত দিছিল, বোলে, ‘মই যি জনক চুমা খাম, তেৰেঁই সেই জন;
তেওঁকে ধৰিবা’। ৪৯ তেতিয়াই তেওঁ যীচুৰ ওচৰলৈ গৈ, ‘ৰব্বি প্ৰণাম’
এই বুলি, তেওঁক চুমা খালে। ৫০ যীচুৱে তেওঁক ক’লে, “বন্ধু, তুমি যি
কৰিবলৈ আহিলা তাকে কৰা”। তেতিয়া তেওঁলোকে ওচৰলৈ আহি,
যীচুৰ গাত হাত দি তেওঁক ধৰিলে। ৫১ চোৱা, যীচুৰ লগৰ এজনে
হাত মেলি, নিজৰ তৰোৱাল উলিয়াই মহা-পুৰোহিতৰ দাস এজনক
আঘাত কৰি তাৰ কাণ এখন কাটি পেলালে। ৫২ তেতিয়া যীচুৱে
তেওঁক ক’লে, “তোমাৰ তৰোৱাল পুনৰায় খাপত সোমাই থোৱা;
কিয়নো যি জনে তৰোৱাল ধৰে, সেই জন তৰোৱালৰ দ্বাৰাই বিনষ্ট
হ’ব। ৫৩ ‘মোৰ পিতৃয়ে এতিয়াই মোলৈ বাৰ বাহিনীতকৈয়োঅধিক
স্বৰ্গৰ দূত পঠাই দিয়ক’, মই এনে নিবেদন কৰিব নোৱাৰোঁ বুলি তুমি
ভাবিছা নে? ৫৪ কিন্তু ধৰ্মশাস্ত্ৰৰ বচনত যিহেতু কোৱা হৈছে, সেয়েহে
এইদৰে সিদ্ধ হ’বলৈ নঘটিব নে?” ৫৫ সেই সময়ত যীচুৱে লোক
সকলক ক’লে, “আপোনালোকে তৰোৱাল আৰু টাঙোন লৈ ডকাইত
ধৰাৰ নিচিনাকৈ মোক ধৰিবলৈ ওলাই আহিছে যে; যেতিয়া মই নিতৌ
মন্দিৰত বহি উপদেশ দি আছিলোঁ, তেতিয়া আপোনালোকে মোক
নধৰিলে, ৫৬ কিন্তু ভাববাদী সকলৰ শাস্ত্ৰীয় বচন সিদ্ধ হ’বলৈ এই
সকলো ঘটিল।” তেতিয়া সকলো শিষ্যই তেওঁক এৰি পলাই গ’ল। ৫৭
পাছত বিধানৰ অধ্যাপক আৰু পৰিচাৰক সকল যি ঠাইত গোট খাই
আছিল, সেই ঠাইলৈকে যীচুক ধৰা সকলে লৈ গৈ কায়াফা নামেৰে
মহা-পুৰোহিতৰ ওচৰলৈ তেওঁক আনিলে। ৫৮ কিন্তু পিতৰে মহা-
পুৰোহিতৰ চোতাললৈকে আতৰে আতৰে তেওঁৰ পাছে পাছে গৈ, তাত
সোমাই শেষত কি হয়, তাকে চাবলৈ টেকেলাবোৰৰ লগত বহিল। ৫৯
তেতিয়া প্ৰধান পুৰোহিত সকল আৰু গোটেই মহাসভাই যীচুক বধ
কৰিবলৈ তেওঁৰ বিৰুদ্ধে মিছা সাক্ষ্য বিচাৰিলে৷ ৬০ অনেক মিছা সাক্ষী

আগুৱাই আহিছিল, তথাপি তেওঁলোকে এজনকো বিচাৰি নাপালে।
কিন্তু শেষত দুজন আগুৱাই আহিল আৰু ক'লে, ৬১ "এওঁ কৈছিল -
'মই ঈশ্বৰৰ এই মন্দিৰ ধ্বংস কৰি, তিন দিনৰ ভিতৰতে তাক সাজিব
পাৰোঁ'।" ৬২ তেতিয়া মহা-পুৰোহিতে উঠি যীচুক ক'লে, "তুমি একো
উত্তৰ নিদিয়া নে? তোমাৰ অহিতে এওঁলোকে কি সাক্ষ্য দিছে?"
৬৩ কিন্তু যীচুৱে নিজম দি থাকিল। তেতিয়া মহা-পুৰোহিতে তেওঁক
ক'লে, "তোমাক জীৱনময় ঈশ্বৰৰ শপত দিছোঁ, তুমি ঈশ্বৰৰ পুত্ৰ,
খ্ৰীষ্ট হোৱা নে নোহোৱা, আমাক কোৱা।" ৬৪ যীচুৱে তেওঁক ক'লে,
"তুমি সঁচাকৈ ক'লা; তথাপি মই আপোনালোকক কওঁ, এতিয়াৰ পৰা
আপোনালোকে মানুহৰ পুত্ৰক পৰাক্ৰমৰ সোঁ হাতে বহি থকা আৰু
স্বৰ্গৰ পৰা মেঘত অহা দেখিব।" ৬৫ তেতিয়া মহা-পুৰোহিতে নিজৰ
কাপোৰ ফালি ক'লে, "এওঁ ঈশ্বৰক নিন্দা কৰিলে; এতিয়া আমাৰ
সাক্ষীৰ কি প্ৰয়োজন আছে? চোৱা, এতিয়া তোমালোকে নিজে ঈশ্বৰ
নিন্দা শুনিলা। ৬৬ গতিকে তোমালোকে কি ভাবা?" তেওঁলোকে উত্তৰ
দি ক'লে, "এওঁ প্ৰাণদণ্ডৰ যোগ্য"। ৬৭ তেতিয়া তেওঁলোকে যীচুৰ
মুখত থুই পেলাই ভুকুৱালে; ৬৮ আৰু কেতবোৰে ঢকিয়াই সুধিলে,
"হে'ৰা খ্ৰীষ্ট, ভাবোক্তিৰ দ্বাৰাই আমাক কোৱাচোন, তোমাক কোনে
মাৰিলে"? ৬৯ সেই সময়ত পিতৰ বাহিৰফালে চোতালত বহি আছিল;
তাতে এজনী চাকৰণী তেওঁৰ ওচৰলৈ আহিল আৰু ক'লে, 'তুমিও
গালীলীয়া যীচুৰ লগত আছিলা'। ৭০ কিন্তু তেওঁ আটাইৰে আগতে
অস্বীকাৰ কৰি ক'লে, 'তুমি কি কৈছা, মই বুজা নাই'। ৭১ পাছত
তেওঁ বাট-চ'ৰালৈ ওলাই গ'ল, তাতো আন এজনী চাকৰনীয়ে তেওঁক
দেখিলে আৰু তাত থকা লোক সকলৰ আগত ক'লে, 'এওঁ নাচৰতীয়া
যীচুৰ লগত আছিল'। ৭২ তাতে তেওঁ শপত খাই আকৌ অস্বীকাৰ কৰি
ক'লে, "মই সেই মানুহ জনক চিনি নাপাও"। ৭৩ অলপ পাছত তাত
থকা সকলে ওচৰলৈ আহি পিতৰক ক'লে, 'অৱশ্যে তুমিও তেওঁলোকৰ
মাজৰ এজন; কিয়নো তোমাৰ ভাষাই তোমাৰ চিনাকি দিছে'। ৭৪
তাতে তেওঁ শাও দি আৰু শপত খাই ক'লে, "মই সেই মানুহক চিনিয়ে
নাপাওঁ" আৰু তেতিয়াই কুকুৰাই ডাক দিলে। ৭৫ তেতিয়া যীচুৱে

কোৱা সেই কথালৈ পিতৰৰ মনত পৰিল৷ যীচুৱে যে কৈছিল, ‘কুকুৰাই
ডাক দিয়াৰ আগেয়ে, তুমি মোক তিনি বাৰ অস্বীকাৰ কৰিবা’, এই
কথা মনত পৰাত পিতৰে বাহিৰলৈ গৈ অতি শোকেৰে ক্ৰন্দন কৰিলে।

**২৭** পাছত ৰাতি পুৱালত সকলো প্ৰধান পুৰোহিত আৰু সমাজৰ
পৰিচাৰক সকলে যীচুক বধ কৰিবলৈ তেওঁৰ বিৰুদ্ধে কুমন্ত্ৰণা কৰিলে;
২ তেওঁক বান্ধিলে আৰু পীলাত নামেৰে দেশাধিপতিৰ হাতত শোধাই
দিলে। ৩ তেতিয়া তেওঁক শত্ৰুৰ হাতত অৰ্পণ কৰা যিহূদাই তেওঁক
দোষী কৰি দণ্ডাজ্ঞা দিয়া দেখি মনত খেদ পাই প্ৰধান পুৰোহিত
আৰু পৰিচাৰক সকলক সেই ত্ৰিশ টা ৰূপৰ মুদ্ৰা ওভোতাই দিলে; ৪
আৰু ক’লে, “নিৰ্দোষীৰ তেজ শোধাই দি মই পাপ কৰিলোঁ”; কিন্তু
তেওঁলোকে ক’লে, ‘তাতনো আমাৰ কি কাম? তুমিয়েই তোমাৰ বিষয়ে
চাবা’। ৫ তেতিয়া তেওঁ মন্দিৰত সেই ৰূপ পেলাই দি তাৰ পৰা গুচি গৈ
নিজকে নিজে ফাঁচি ল’লে। ৬ পাছত প্ৰধান পুৰোহিত সকলে সেই ৰূপ
লৈ ক’লে, “এই ৰূপ তেজৰ মূল্য হোৱা হেতুকে ভঁৰালত থোৱা বিধান
সন্মত নহয়”। ৭ তাতে তেওঁলোক একত্ৰিত হৈ পৰামৰ্শ কৰিলে আৰু
বিদেশী সকলক মৈদাম দিবলৈ সেই ৰূপেৰে কুমাৰৰ পথাৰ কিনিলে।
৮ এই কাৰণে আজিলৈকে সেই পথাৰ ‘তেজৰ মাটি’ বুলি জনাজাত। ৯
তেতিয়া যিৰিমিয়া ভাববাদীৰ দ্বাৰাই যি বচন কোৱা হৈছিল, বোলে
‘ইস্ৰায়েলৰ সন্তানৰ কোনো কোনোৱে যি জনৰ মূল্য নিৰূপণ কৰিলে,
সেই মূল্য নিৰূপণ কৰা জনৰ ত্ৰিশ টা ৰূপৰ মুদ্ৰা সিহঁতে ললে, ১০
আৰু প্ৰভুৱে মোক আদেশ দিয়াৰ দৰে কুমাৰৰ মাটিৰ কাৰণে দিলে’,
এই বচন সিদ্ধ হ’ল। ১১ পাছত যীচুক সেই দেশাধিপতিৰ সন্মুখত থিয়
কৰোঁৱাত, দেশাধিপতিয়ে তেওঁক সুধিলে, ‘তুমি ইহুদী সকলৰ ৰজা
নে’? যীচুৱে তেওঁক ক’লে, ‘ঠিক তুমিয়েই কৈছা’। ১২ কিন্তু প্ৰধান
পুৰোহিত আৰু পৰিচাৰক সকলে তেওঁক অপবাদ দিয়াতো, তেওঁ
একো উত্তৰ নিদিলে। ১৩ তেতিয়া পীলাতে তেওঁক ক’লে, ‘এওঁলোকে
তোমাৰ বিৰুদ্ধে কিমান সাক্ষ্য দিছে, সেই বিষয়ে তুমি শুনা নাই নে’?
১৪ কিন্তু তেওঁ এষাৰো উত্তৰ নিদিয়াত দেশাধিপতিয়ে অতিশয় বিস্ময়
মানিলে। ১৫ সেই পৰ্বৰ সময়ত লোক সকলে যি বন্দীক মুকলি কৰি

দিয়াটো ইচ্ছা কৰে, দেশাধিপতিয়ে তেওঁকে তেওঁলোকলৈ মুকলি
কৰি দিয়ে, তেওঁৰ এনে দস্তুৰ আছিল। ১৬ সেই সময়ত বাৰাব্বা
নামেৰে এজন কুখ্যাত কাৰাবন্দী আছিল। ১৭ তাতে তেওঁলোক গোট
খোৱাত, পীলাতে তেওঁলোকক সুধিলে, 'মই তোমালোকলৈ কোন
জনক মুকলি কৰাটো তোমালোকে ইচ্ছা কৰা, বাৰাব্বাক নে খ্ৰীষ্ট
বোলা যীচুক'? ১৮ কিয়নো তেওঁলোকে যে অসুয়া কৰি যীচুক শোধাই
দিছিল, সেই কথা তেওঁ জানিছিল। ১৯ পাছত তেওঁ বিচাৰৰ আসনত
বহি থাকোঁতে তেওঁৰ ভাৰ্যাই তেওঁলৈ কৈ পঠালে, বোলে, 'সেই ধাৰ্মিক
জনৰ কথাত তুমি একো হাত নিদিবা; কিয়নো তেওঁৰ কাৰণে, মই
আজি সপোনত যি দেখিলোঁ বহুত দুখ পালোঁ'। ২০ কিন্তু প্ৰধান
পুৰোহিত আৰু পৰিচাৰক সকলে বাৰাব্বাক মুকলি কৰি দিবলৈ আৰু
যীচুক বধ কৰিবলৈ লোক সকলক উচটালে। ২১ তাতে দেশাধিপতিয়ে
উত্তৰ দি তেওঁলোকক ক'লে, 'এই দুই জনৰ মাজত মই কোন জনক
মুকলি কৰাটো তোমালোকৰ ইচ্ছা'? তেওঁলোকে ক'লে, 'বাৰাব্বাক'।
২২ পীলাতে তেওঁলোকক ক'লে, 'তেনে হ'লে খ্ৰীষ্ট বোলা যীচুক মই
কি কৰিম'? সকলোৱে ক'লে, 'তাক ক্ৰুচত দিয়ক'। ২৩ তাতে তেওঁ
ক'লে, 'কিয়? তেওঁ কি দোষ কৰিলে'? কিন্তু তেওঁলোকে বৰকৈ আটাহ
পাৰি ক'লে, 'তাক ক্ৰুচত দিয়ক'। ২৪ তেতিয়া পীলাতে দেখিলে যে
তেওঁ একো কৰিব নোৱাৰিব, কিন্তু মানুহবোৰৰ মাজত সাম্প্ৰদায়িক
সংঘৰ্ষ আৰম্ভ হৈ বাঢ়িবহে ধৰিলে, ইয়াকে দেখি পীলাতে লোক
সকলৰ আগত পানী লৈ হাত ধুই ক'লে, 'এই ধাৰ্মিক জনৰ ৰক্তপাতত
মই নিৰ্দ্দোষী; এওঁক তোমালোকেই চাবা'। ২৫ তাতে সকলোৱে
উত্তৰ দি ক'লে, 'তেওঁৰ তেজে আমাক আৰু আমাৰ সন্তানবোৰক
পাওঁক'। ২৬ তেতিয়া তেওঁ তেওঁলোকলৈ বাৰাব্বাক মুকলি কৰিলে।
কিন্তু যীচুক চাবুকেৰে কোবাই ক্ৰুচত দিবলৈ শোধাই দিলে। ২৭
তেতিয়া দেশাধিপতিৰ সেনাবোৰে যীচুক প্ৰিটৰিয়মৰ ভিতৰলৈ নি
তেওঁৰ ওচৰত গোটেই সৈন্য দলক গোটালে; ২৮ আৰু তেওঁৰ গাৰ
কাপোৰ গুচাই, উজ্বল বৰণৰ ৰাজবস্ত্ৰ পিন্ধাই দিলে৷ ২৯ কাঁইটেৰে
কিৰীটি সাঁজি তেওঁৰ মুৰত দিলে আৰু সোঁ হাতত এডাল নিৰ্দেশক

দণ্ড দি তেওঁৰ আগত আঁঠু ললে আৰু তেওঁক বিদ্রূপ কৰি কলে- “হে, ইহুদী সকলৰ ৰজা, জয় হওক”! ৩০ তাতে তেওঁলোকে যীচুৰ গাত থুই পেলালে আৰু দণ্ড ডাল লৈ মুৰত কোবালে। ৩১ এইদৰে তেওঁক বিদ্রূপ কৰি তেওঁৰ পৰা ৰাজবস্ত্র খুলি পেলালে আৰু তেওঁক নিজৰ কাপোৰ পিন্ধাই ক্রুচত দিবলৈ লৈ গ’ল। ৩২ পাছত তেওঁলোক ওলাই যাওঁতে কুৰীণীৰ পৰা অহা চিমোন নামেৰে এজন মানুহক বিচাৰি পালে, তেওঁলোকে তেওঁক যীচুৰ ক্রুচ বৈ নিবলৈ ধৰি নিলে। ৩৩ তেওঁলোকে তেতিয়া গলগথা, অর্থাৎ ‘মুৰৰ লাওখোলা’ নামৰ এখন ঠাই পালে। ৩৪ তাতে তেওঁলোকে তেওঁক তিতাৰে মিহলি দ্রাক্ষাৰস পান কৰিবলৈ দিলে; কিন্তু তেওঁ তাক চেকি চাই পান কৰিবলৈ ইচ্ছা নকৰিলে। ৩৫ পাছত তেওঁলোকে যীচুক ক্রুচত দি তেওঁৰ কাপোৰ চিঠি খেলি ভাগ-বাঁটি ল’লে; ৩৬ আৰু তাতে বহি তেওঁলোকে যীচুক পহৰা দি থাকিল। ৩৭ তেওঁৰ এই অপবাদ লিখি, মুৰত এখন ফলক আৰি দিলে, “এই জন ইহুদী সকলৰ ৰজা যীচু৷” ৩৮ সেই সময়ত তেওঁৰ সোঁফালে এটা, বাওঁফালে এটা, এইদৰে দুটা ডকাইতক তেওঁৰ লগত ক্রুচত দিয়া হ’ল। ৩৯ তাতে যি সকলে সেই বাটেদি অহা-যোৱা কৰিছিল, সেই বাটৰুৱাবোৰে মূৰ জোকাৰি জোকাৰি, নিন্দা কৰি ক’লে, ৪০ “হে’ৰা মন্দিৰ নষ্ট কৰোঁতা আৰু তিন দিনৰ ভিতৰত সাজোঁতা, নিজকে ৰক্ষা কৰা৷ তুমি যদি ঈশ্বৰৰ পুত্র হোৱা, তেনেহলে ক্রুচৰ পৰা নামি আহা”। ৪১ সেইদৰে প্রধান পুৰোহিত, পৰিচাৰক আৰু বিধানৰ অধ্যাপক সকলে বিদ্রূপ কৰি ক’লে, ৪২ “তেওঁ আন লোকক ৰক্ষা কৰিলে, কিন্তু নিজকে ৰক্ষা নকৰে কিয়৷ তেওঁ বোলে ইস্রায়েলৰ ৰজা; এতিয়া ক্রুচৰ পৰা নামকচোন; তেতিয়াহে আমি তেওঁক বিশ্বাস কৰিম। ৪৩ তেওঁ ঈশ্বৰত ভাৰসা কৰিছে; ঈশ্বৰে যদি তেওঁক ভালপায়, তেনেহলে এতিয়া তেওঁক নিস্তাৰ কৰকচোন; কিয়নো নিজকে কৈছিল ‘ময়েই ঈশ্বৰৰ পুত্র’।” ৪৪ তেতিয়া তেওঁৰ লগত ক্রুচত দিয়া সেই দুটা ডকাইতেও তেওঁক একেদৰেই নিন্দা কৰিলে। ৪৫ পাছত বাৰ বজাৰ পৰা তিনি বজালৈকে, গোটেই খন দেশৰ ওপৰত আন্ধাৰ হ’ল; ৪৬ আৰু তিনি মান বজাত যীচুৱে বৰ মাতেৰে ৰিঙিয়াই ক’লে, “এলী,

এলী, লামা চবক্তানী”? অৰ্থাৎ, “হে মোৰ ঈশ্বৰ, হে মোৰ ঈশ্বৰ; কিয়
মোক পৰিত্যাগ কৰিলা”? ৪৭ তেতিয়া তাতে থিয় হৈ থকা কোনো
কোনোৱে ইয়াকে শুনি ক’লে, “তেওঁ এলিয়াক মাতিছে”। ৪৮ তেতিয়াই
তেওঁলোকৰ মাজৰ এজনে ল’ৰি গৈ, স্পঞ্জ এটুকুৰা লৈ চিৰকাৰে পূৰ
কৰি, তাক নলৰ আগত লগাই তেওঁক পান কৰিবলৈ দিলে। ৪৯ কিন্তু
আনবোৰে ক’লে, “অকলে থকিবলৈ দিয়া; এলিয়াই তেওঁক ৰক্ষা
কৰিবলৈ আহে নে নাহে তাকে চাওঁ”। ৫০ তেতিয়া যীচুৱে বৰ মাতেৰে
ৰিঙিয়ালে আৰু প্ৰাণ ত্যাগ কৰিলে। ৫১ চোৱা, তেতিয়াই মন্দিৰৰ আঁৰ-
কাপোৰ ওপৰৰ পৰা মজিয়ালৈকে ফাটি দুছিটা হ’ল৷ ভুমিকম্প হ’ল;
শিলবোৰ ফাটিল; ৫২ তেতিয়া মৈদামবোৰ মুকলি হৈ গ’ল আৰু বহু
নিদ্ৰিত পবিত্ৰ লোকৰ দেহ উত্থিত হ’ল। ৫৩ তেওঁৰ পুনৰুত্থানৰ পাছত
তেওঁলোকে মৈদামৰ পৰা ওলাই পবিত্ৰ নগৰলৈ গ’ল আৰু বহু ব্যক্তিক
দেখা দিলে। ৫৪ পাছত এশৰ সেনাপতি আৰু তেওঁৰ লগত যীচুক
পহৰা দি থকা সকলে, এইদৰে ভুমিকম্প আদি ঘটনা হোৱা দেখি বৰ
ভয় পাই ক’লে, ‘এওঁ সঁচাকৈয়ে ঈশ্বৰৰ পুত্ৰ’। ৫৫ গালীল প্ৰদেশৰ
পৰা তেওঁক শুশ্ৰূষা কৰা বহু মহিলা তেওঁৰ পাছে পাছে আহি আছিল,
তেওঁলোকে দূৰৰ পৰা সকলো চাই আছিল৷ ৫৬ তেওঁলোকৰ ভিতৰত
মগ্দলীনী মৰিয়ম, যাকোব আৰু যোচেফৰ মাক মৰিয়ম আৰু চিবদিয়ৰ
পুতেক দুজনৰ মাক, আদি কৰি যীচুৰ সেৱা-শুশ্ৰষা কৰিবলৈ যীচুৰ
লগত অহা মহিলা সকল আছিল৷ ৫৭ তেতিয়া গধূলি হৈ আহিছিল,
তালৈ অৰিমাথিয়া নগৰৰ পৰা এজন ধনী মানুহ আহিল, তেওঁৰ নাম
যোচেফ, তেওঁ যীচুৰ শিষ্য আছিল৷ ৫৮ তেওঁ পীলাতৰ ওচৰলৈ গৈ,
যীচুৰ দেহ খুজিলে; তেতিয়া পীলাতে দেহ দিবলৈ আজ্ঞা দিলে। ৫৯
পাছত যোচেফে দেহ লৈ, শণ সূতাৰ মিহি চাফা কাপোৰেৰে দেহটো
মেৰিয়ালে, ৬০ আৰু নিজৰ বাবে শিলত খান্দি থোৱা যি মৈদাম আছিল,
তাৰ ভিতৰত দেহটো শুৱাই থলে৷ তাৰ পাছত এচটা ডাঙৰ শিল
বগৰাই আনি মৈদামৰ দুৱাৰত থলে আৰু তেওঁলোক তাৰ পৰা গুচি
গ’ল। ৬১ কিন্তু মগ্দলীনী মৰিয়ম আৰু আন মৰিয়ম তাত উপস্থিত হৈ,
মৈদামৰ বিপৰীত দিশত বহি আছিল। ৬২ পাছদিনা অৰ্থাৎ আয়োজন

দিনৰ পাছদিনা, প্ৰধান পুৰোহিত আৰু ফৰীচী সকলে পীলাতৰ ওচৰত
গোট খাই ক'লে, ৬৩ "হে মহাশয়, এই প্ৰবঞ্চকে জীয়াই থাকোঁতে
কৈছিল, 'তিন দিনৰ মুৰত মই পুনৰাই উঠিম', এতিয়া এই কথা আমাৰ
মনত পৰিছে। ৬৪ এই হেতুকে, তৃতীয় দিনলৈকে তেওঁৰ মৈদাম
ৰাখিবলৈ আজ্ঞা দিয়ক; কিজানি তেওঁৰ শিষ্যবোৰে আহি তেওঁৰ দেহ
চুৰ কৰি নিব আৰু মানুহবোৰক ক'ব, 'তেওঁ মৃত লোকৰ মাজৰ পৰা
উঠিল'; যদি সেয়ে হয় তেনেহ'লে ই প্ৰথম ভ্ৰান্তিতকৈয়ো শেষ ভ্ৰান্তি
অধিক হানিজনক হ'ব"। ৬৫ তেতিয়া পীলাতে তেওঁলোকক ক'লে,
"তোমালোকে এদল চন্তৰী লোৱা; এতিয়া যোৱা আৰু তোমালোকে
যেনেকৈ পাৰা ৰাখাগৈ"। ৬৬ তাৰ পাছত তেওঁলোকে গৈ শিলচটাত
মোহৰ মাৰিলে আৰু এদল চন্তৰীক মৈদাম ৰখিবলৈ দায়িত্ব দিলে।

২৮ তেতিয়া বিশ্ৰামবাৰ পাৰ হৈ, সপ্তাহৰ প্ৰথম দিন ওচৰ চাপিল,
মগ্দলীনী মৰিয়ম আৰু আন মৰিয়মে মৈদাম চাবলৈ গ'ল। ২ চোৱা,
তাতে বৰ ভুমিকম্প হ'ল; কিয়নো প্ৰভুৰ দূতে স্বৰ্গৰ পৰা নামি আহি
শিলচটা বগৰালে আৰু তাৰ ওপৰতে বহিল। ৩ তেওঁৰ শৰীৰ বিজুলীৰ
নিচিনা আৰু বস্ত্ৰ হিমৰদৰে শুক্ল আৰু তেওঁৰ ভয়তে প্ৰহৰী সকল কঁপি
কঁপি মৰাৰ নিচিনা হ'ল। ৪ কিন্তু সেই মহিলা কেইজনীক, ৫ দূতে
মাত লগাই ক'লে, "তোমালোকে ভয় নকৰিবা; কিয়নো ক্ৰুচত হত
হোৱা যীচুক তোমালোকে বিচাৰিছা বুলি মই জানিছোঁ। ৬ তেওঁ ইয়াত
নাই; কিন্তু যেনেকৈ তেওঁ কৈছিল, তেনেকৈ তেওঁ উঠিল৷ আহা, তেওঁ
শয়ন কৰা ঠাই চোৱাহি। ৭ এতিয়া তোমালোকে বেগাই যোৱা আৰু
তেওঁৰ শিষ্য সকলক এই কথা কোৱাগৈ যে, তেওঁ মৃত লোকৰ মাজৰ
পৰা উঠিল৷ চোৱা, তোমালোকৰ আগেয়ে তেওঁ গালীল প্ৰদেশলৈ
গৈছে; তোমালোকে তাতে তেওঁক দৰ্শন পাবা; চোৱা, এই কথা মই
তোমালোকক ক'লো"। ৮ তাতে তেওঁলোকে ভয় আৰু মহা-আনন্দেৰে
মৈদামৰ পৰা ততাতৈয়াকৈ গুচি গ'ল আৰু তেওঁৰ শিষ্য সকলক সম্বাদ
দিবলৈ ল'ৰি গ'ল। ৯ তাতে চোৱা যীচুৱে তেওঁলোক সাক্ষাৎ হৈ ক'লে,
"তোমালোকৰ মঙ্গল হওক"। তাতে মহিলা সকল ওচৰলৈ আহি তেওঁৰ
চৰণত ধৰি প্ৰণিপাত কৰিলে। ১০ তেতিয়া যীচুৱে তেওঁলোকক ক'লে,

“ভয় নকৰিবা; তোমালোক যোৱা, মোৰ ভাই সকলক গালীল প্ৰদেশলৈ
যাবৰ বাবে সম্বাদ দিয়াগৈ; তেওঁলোকে তাতে মোক দেখা পাব”। ১১
পাছত মহিলা সকল যাওঁতে, চোৱা, চন্তৰীবোৰৰ কোনো কোনোৱে
নগৰলৈ আহি, যি যি ঘটিছিল, সেই সকলোৰ সম্বাদ প্ৰধান পুৰোহিত
সকলৰ আগত দিলেহি। ১২ তেতিয়া তেওঁলোকে পৰিচাৰক সকলৰ
সৈতে একত্ৰিত হৈ আলোচনা কৰিলে আৰু সেনাবোৰক ভালেমান ধন
দি ক’লে, ১৩ “আমি টোপনিত থাকোঁতে, যীচুৰ শিষ্যবোৰে ৰাতি আহি,
তাক চুৰ কৰি নিলে, এই বুলি ক’বা। ১৪ এই কথা যদি দেশাধিপতিয়ে
শুনে, তেতিয়া আমি তেওঁক বুজাই-বঢ়াই লম আৰু তোমালোকক
এই বিষয়তোৰ পৰা দূৰত ৰাখিম”। ১৫ তেতিয়া সিহঁতে ধন ললে
আৰু তেওঁলোকে শিকাই দিয়াৰ দৰেই সিহঁতে কৰিলে; এইদৰে এই
কথা ইহুদী সকলৰ মাজত বিয়পি গ’ল আৰু আজিলৈকে এই কথা,
এইদৰে প্ৰচলিত হৈ আছে। ১৬ পাছত গালীল প্ৰদেশৰ যি পৰ্বত
যীচুৱে নিৰূপণ কৰি থৈছিল তালৈকে তেওঁৰ এঘাৰ জন শিষ্য গ’ল; ১৭
আৰু তেওঁক দেখা পাই প্ৰণিপাত কৰিলে; কিন্তু কোনো কোনোৱে
সংশয় কৰিলে। ১৮ তেতিয়া যীচুৱে ওচৰলৈ আহি তেওঁলোকক ক’লে,
“বোলে, স্বৰ্গত আৰু পৃথিৱীত সকলো অধিকাৰ মোক দিয়া হ’ল। ১৯
এই হেতুকে, তোমালোক যোৱা; আৰু সকলো জাতিকে শিষ্য কৰি,
পিতৃ, পুত্ৰ আৰু পবিত্ৰ আত্মাৰ নামেৰে তেওঁলোকক বাপ্তাইজ কৰা;
২০ মই যি যি আজ্ঞা তোমালোকক দিলোঁ, সেই সকলোকে পালন
কৰিবলৈ তেওঁলোকক শিক্ষা দিয়া; আৰু চোৱা, জগতৰ শেষলৈকে মই
সদায় তোমালোকৰ সঙ্গে সঙ্গে আছোঁ”। **(aiōn g165)**

# মাৰ্ক

১ ঈশ্বৰৰ পুত্ৰ যীচু খ্ৰীষ্টৰ শুভবাৰ্তাৰ আৰম্ভণ। ২ যিচয়া ভাববাদীৰ
পুস্তকত যেনেকৈ লিখা আছে, 'চোৱা, মই মোৰ বাৰ্তাবাহকক তোমাৰ
আগত পঠিয়াইছোঁ, তেওঁ তোমাৰ বাট যুগুত কৰিব৷' ৩ "মৰুপ্ৰান্তত
এজনৰ কণ্ঠস্বৰ শুনা গৈছে, 'তোমালোকে প্ৰভুৰ পথ যুগুত কৰা,
তেওঁৰ বাট পোন কৰা৷'" ৪ এইদৰে মৰুপ্ৰান্তত বাপ্তিস্ম কৰোঁতা আৰু
পাপ মোচনৰ অৰ্থে মন-পালটনৰ বাপ্তিস্মৰ কথা ঘোষণা কৰোঁতা
যোহন আহিল। ৫ তাতে গোটেই যিহুদীয়া আৰু যিৰূচালেমৰ সকলো
লোক তেওঁৰ ওচৰ চাপিবলৈ ওলাই আহিল আৰু নিজৰ নিজৰ পাপ
স্বীকাৰ কৰি, তেওঁৰ দ্বাৰাই যৰ্দ্দন নদীত বাপ্তিস্ম ল'লে। ৬ সেই
যোহনে উটৰ নোমৰ কাপোৰ আৰু কঁকালত চামৰাৰ টঙালি বান্ধিছিল৷
আৰু তেওঁ কচুৰা ফৰিং আৰু হাবিৰ মৌ খাইছিল। ৭ তেওঁ ঘোষণা
কৰি ক'লে, "মোতকৈ শক্তিমান এজন মোৰ পাছত আহি আছে আৰু
মই, তেওঁৰ পাদুকাৰ ফিটাৰ বান্ধ তল মূৰ কৰি খুলিবৰো যোগ্য
নহওঁ। ৮ মই আপোনালোকক পানীত বাপ্তিস্ম দিলোঁ; কিন্তু তেওঁ
পবিত্ৰ আত্মাত বাপ্তিস্ম দিব।" ৯ সেই সময়ত যীচু গালীল দেশৰ
নাচৰতৰ পৰা আহি, যোহনৰ দ্বাৰাই যৰ্দ্দন নদীত বাপ্তিস্ম ল'লে।
১০ তেওঁ পানীৰ পৰা উঠি আহোতেই আকাশ দুফাল হৈ যোৱা আৰু
কপৌৰ নিচিনা তেওঁৰ ওপৰলৈ আত্মাক নমা দেখিলে। ১১ আৰু
এইদৰে আকাশ-বাণী হ'ল যে, "তুমি মোৰ প্ৰিয় পুত্ৰ৷ তোমাত মই
পৰম সন্তুষ্ট।" ১২ তেতিয়া পবিত্ৰ আত্মাই তেওঁক মৰুপ্ৰান্তলৈ চালিত
কৰি লৈ গ'ল। ১৩ সেই মৰুপ্ৰান্তত তেওঁ চল্লিশ দিনলৈকে বনৰীয়া
জন্তুৰ লগত থাকোতে চয়তানৰ দ্বাৰাই পৰীক্ষিত হ'ল; আৰু স্বৰ্গৰ দূত
সকলে তেওঁৰ শুশ্ৰূষা কৰিলে। ১৪ যোহনক বন্দীশালত থোৱাৰ পাছত
যীচু গালীল দেশলৈ গ'ল আৰু ঈশ্বৰৰ শুভবাৰ্তা ঘোষণা কৰিলে৷ ১৫
যীচুৱে প্ৰচাৰ কৰিলে আৰু ক'লে, "কাল সম্পূৰ্ণ হ'ল, আৰু ঈশ্বৰৰ ৰাজ্য
ওচৰ হ'ল৷ তোমালোকে মন-পালটন কৰা আৰু শুভবাৰ্তাত বিশ্বাস
কৰা"। ১৬ পাছত তেওঁ গালীল সাগৰৰ তীৰেদি গৈ থাকোতে, চিমোন
আৰু চিমোনৰ ভায়েক আন্দ্ৰিয়ক সাগৰত জাল বাই থকা দেখিলে;

কিয়নো তেওঁলোক জালোৱা আছিল। ১৭ তেতিয়া যীচুৱে তেওঁলোকক
ক'লে, "মোৰ পাছত আহা; মই তোমালোকক মানুহ ধৰা জালোৱা
কৰিম"। ১৮ তেতিয়াই তেওঁলোকে জালবোৰ এৰি যীচুৰ পাছে পাছে
গ'ল। ১৯ পাছত যীচুৱে অলপ দূৰ আগুৱাই গৈ থাকোতে, চিবদিয়ৰ
পুতেক যাকোব আৰু তেওঁৰ ভায়েক যোহনক দেখিলে; তেওঁলোকেও
নাৱত জাল মেৰামতি কৰি আছিল। ২০ তেওঁ তেতিয়াই তেওঁলোকক
মাতিলে; লগে লগে তেওঁলোকে নিজৰ বাপেক চিবদিয় ও কাম কৰা
বনুৱাৰ সকলে সৈতে নাও এৰি যীচুৰ পাছে পাছে গ'ল। ২১ পাছত
তেওঁলোকে কফৰনাহূমলৈ গ'ল আৰু বিশ্ৰামবাৰ আহিলত নাম-ঘৰত
সোমাই উপদেশ দিলে। ২২ তেওঁৰ উপদেশত লোক সকলে বিস্ময়
মানিলে, কিয়নো তেওঁ বিধানৰ অধ্যাপক সকলে উপদেশ দিয়াৰ
নিচিনাকৈ নিদি ক্ষমতাপন্ন ব্যক্তিৰ দৰে তেওঁলোকক উপদেশ দিলে।
২৩ সেই সময়ত তেওঁলোকৰ সেই নাম-ঘৰতে অশুচি আত্মাই ধৰা
এজন মানুহ আছিল। তেওঁ আটাহ পাৰি ক'লে, ২৪ "হে নাচৰতীয়া যীচু,
আপোনাৰ লগত আমাৰ কি কাম? আপুনি আমাক নষ্ট কৰিবৰ বাবে
আহিলে নে? আপুনি কোন, মই জানো৷ আপুনি ঈশ্বৰৰ পবিত্ৰ জন"।
২৫ কিন্তু যীচুৱে তাক ডবিয়াই ক'লে, "মনে মনে থাক আৰু ইয়াৰ পৰা
বাহিৰ ওলা!" ২৬ তেতিয়া সেই অশুচি আত্মাই এক ডাঙৰ মাতেৰে
চিঞৰি মানুহ জনক তলত পেলাই মুচৰি তেওঁৰ পৰা বাহিৰ ওলাই
গ'ল। ২৭ তাতে সকলোৱে বিস্ময় মানি, ইজনে সিজনে সোধা-সুধি
কৰি কলে, "এইয়া কি? ক্ষমতাপন্ন জনৰ দৰে এক নতুন উপদেশ!
এওঁ অশুচি আত্মাকো আজ্ঞা দিয়াত, সিহঁতেও দেখোন এওঁক মানে"।
২৮ তেতিয়া তেওঁৰ খ্যাতি গালীল প্ৰদেশৰ চৌদিশে আৰু সেই অঞ্চলৰ
সকলো ঠাইলৈ বিয়পি গ'ল। ২৯ পাছত তেওঁলোকে নাম-ঘৰৰ পৰা
ওলাই আহি চিমোন আৰু আন্দ্ৰিয়ৰ ঘৰত সোমাল। তেওঁলোকৰ লগত
যাকোব আৰু যোহনো আছিল। ৩০ তাতে চিমোনৰ শাহুৱেক জ্বৰত
অসুস্থ হৈ বিচনাত পৰি আছিল৷ তেতিয়াই তেওঁলোকে তেওঁৰ বিষয়ে
যীচুক জনালে। ৩১ তাতে তেওঁ ওচৰলৈ আহি তেওঁৰ হাতত ধৰিলে
আৰু তেওঁক তুলিলে৷ তেতিয়া সেই জ্বৰে তেওঁক এৰিলে, আৰু তেওঁ

তেওঁলোকৰ সেৱা-শুশ্ৰূষা কৰিবলৈ ধৰিলে। ৩২ সেই দিনা সন্ধিয়া বেলি মাৰ গলত, লোক সকলে সকলো ৰোগীক আৰু ভূতে পোৱা লোক সকলক তেওঁৰ ওচৰলৈ আনিলে; ৩৩ আৰু নগৰৰ লোক সকল আহি দুৱাৰ-মুখতে গোট খালে। ৩৪ তাতে তেওঁ নানা বিধ ৰোগত কষ্ট পাই থকা অনেক ৰোগীক সুস্থ কৰিলে আৰু ভূতে পোৱা বহু লোকৰ পৰা ভূত খেদালে৷ কিন্তু ভূতবোৰক একো কথা কবলৈ নিদিলে; কিয়নো সিহঁতে তেওঁক জানিছিল৷ ৩৫ অতি ৰাতিপুৱা প্ৰায় আন্ধাৰ হৈ থাকোতেই তেওঁ উঠি, বাহিৰলৈ ওলাই গৈ নিৰ্জন ঠাইত প্ৰাৰ্থনা কৰি আছিল। ৩৬ পাছত চিমোন আৰু লগৰবোৰে তেওঁক বিচাৰি গ'ল৷ ৩৭ পাছত তেওঁক পাই কলে, "সকলোৱে আপোনাক বিচাৰি আছে"। ৩৮ তাতে তেওঁ তেওঁলোকক ক'লে, "ব'লা, আমি ওচৰৰ আন ঠাইবোৰলৈ যাওঁ, সেই ঠাইবোৰতো মই বাক্য ঘোষণা কৰিব লাগে; মই এই বাবেই ওলাই আহিলোঁ"। ৩৯ পাছত তেওঁ গৈ, গালীল প্ৰদেশৰ সকলো ঠাইতে, তেওঁলোকৰ নাম-ঘৰবোৰতো প্ৰচাৰ কৰিলে আৰু ভূতবোৰক খেদালে। ৪০ তাতে এজন কুষ্ঠ ৰোগী তেওঁৰ ওচৰলৈ আহিল; আৰু সবিনয়েৰে তেওঁৰ সন্মুখত আঁঠু লৈ ক'লে, "আপুনি যদি ইচ্ছা কৰে, তেনেহলে মোক শুচি কৰিব পাৰে"। ৪১ তেতিয়া তেওঁৰ মৰম লাগিল আৰু হাত মেলি তেওঁক চুই ক'লে, "মই ইচ্ছা কৰিছোঁ৷ শুচি হোৱা"। ৪২ তেতিয়া তেওঁৰ শৰীৰৰ পৰা কুষ্ঠৰোগ আতৰিল আৰু তেওঁ শুচি হ'ল। ৪৩ যীচুৱে তেওঁক কঠোৰ আজ্ঞা দি বিদায় দিলে। ৪৪ যীচুৱে তেওঁক ক'লে, "সাৱধান হোৱা; কোনো ব্যক্তিক একো নকবা; কিন্তু যোৱা, পুৰোহিতৰ ওচৰত গৈ নিজকে দেখুওৱা আৰু তুমি শুচি হবৰ অৰ্থে মোচিয়ে যি যি উৎসৰ্গ কৰিবলৈ আজ্ঞা দিলে, তেওঁলোকক সাক্ষ্য দিবৰ বাবে সেইবোৰ উৎসৰ্গ কৰাগৈ"। ৪৫ কিন্তু তেওঁ ওলাই গৈ সকলোৰে আগত ঘোষণা কৰিবলৈ ধৰিলে৷ আৰু এই কথা এনে ধৰণে প্ৰকাশ হবলৈ ধৰিলে যে, যীচুৱে প্ৰকাশ্যৰূপে কোনো নগৰত সোমাব নোৱাৰা হ'ল৷ তেওঁ গৈ বাহিৰত নিৰ্জন ঠাইবোৰত থাকিবলগীয়া হ'ল যাতে চাৰিওফালৰ পৰা লোক সকলে তেওঁৰ ওচৰলৈ আহিব পাৰে।

২ কিছুদিনৰ পাছত, যীচু পুনৰ কফৰনাহূমলৈ আহিল৷ তেতিয়া লোক
সকলে তেওঁ ঘৰত আছে বুলি শুনি, ২ ইমান মানুহ গোট খালে যে,
ভিতৰত কোনো কোঠালিতে ঠাই নোহোৱা হ'ল; আনকি দুৱাৰ-মুখতো
ঠাই নাইকিয়া হ'ল। তাতে যীচুৱে তেওঁলোকৰ আগত বাক্য প্ৰচাৰ
কৰিলে। ৩ তেতিয়া লোক সকলে চাৰি জনে কঢ়িয়াই অনা এজন
পক্ষাঘাত ৰোগীক যীচুৰ ওচৰলৈ আনিলে। ৪ কিন্তু জন সমাগমৰ বাবে
তেওঁৰ ওচৰলৈ তেওঁক চপাব নোৱাৰি, যি ঠাইত তেওঁ আছিল, সেই
ঘৰৰ ওপৰৰ চাল গুচাই বাট কৰি ললে আৰু পক্ষাঘাত ৰোগীজনক
শোৱা শয্যাৰে সৈতে তললৈ নমাই দিলে। ৫ তাতে যীচুৱে তেওঁলোকৰ
বিশ্বাস দেখি, সেই জঠৰ ৰোগীজনক ক'লে, “বোপা তোমাৰ সকলো
পাপ ক্ষমা হ'ল”। ৬ কিন্তু তাত বহি থকা বিধানৰ অধ্যাপক সকলৰ
মাজৰ কোনো কোনোৱে মনতে ভাবি ক'লে, ৭ “এওঁ এনে কথা
কেনেকৈ কব পাৰে? এওঁ ঈশ্বৰ নিন্দা কৰিছে। এজন ঈশ্বৰত বাহিৰ
কোনে পাপ ক্ষমা কৰিব পাৰে”? ৮ তেওঁলোকে নিজৰ মনত এনে কথা
ভাবি থকা বুলি যীচুৱে নিজৰ আত্মাত তেতিয়াই জানিলে; সেয়েহে
তেওঁলোকক ক'লে, “আপোনালোকে অন্তৰত কিয় এনে কথা ভাৱিছে?
৯ 'তোমাৰ সকলো পাপ ক্ষমা হ'ল' নাইবা 'উঠা, তোমাৰ শয্যা তুলি
লৈ খোজকাঢ়ি যোৱা'; এই দুটা কথাৰ মাজত পক্ষাঘাত ৰোগীজনক
কোনটো কবলৈ উজু? ১০ কিন্তু আপোনালোকে যেন জানে যে,
পৃথিৱীত পাপ ক্ষমা কৰিবৰ বাবে মানুহৰ পুত্ৰৰ ক্ষমতা আছে”, এই
বুলি তেওঁ পক্ষাঘাত ৰোগীজনক ক'লে, ১১ “মই তোমাক কওঁ, উঠা,
তোমাৰ শয্যা তুলি লৈ, নিজৰ ঘৰলৈ যোৱা”। ১২ তাতে তেওঁ তেতিয়াই
উঠিল, আৰু সকলোৰে সন্মুখত নিজৰ শয্যা তুলি লৈ ওলাই গ'ল;
ইয়াকে দেখি সকলোৱে বিস্ময় মানি ক'লে, “আমি এনেকুৱা কেতিয়াও
দেখা নাই”, এইদৰে ঈশ্বৰৰ স্তুতি কৰিব ধৰিলে। ১৩ তাৰ পাছত যীচু
আকৌ সাগৰৰ তীৰলৈ ওলাই গ'ল; আৰু লোক সকল তেওঁৰ ওচৰলৈ
অহাত, তেওঁ তেওঁলোকক উপদেশ দিলে। ১৪ পাছত তেওঁ যাওঁতে
আলফয়ৰ পুতেক লেবীক কৰ লোৱা চ'ৰাত বহি থকা দেখা পালে
আৰু তেওঁক ক'লে, “মোৰ পাছে পাছে আহা”। তেতিয়া তেওঁ উঠি,

তেওঁৰ পাছে পাছে গ'ল। ১৫ যেতিয়া যীচুৰে লেবীৰ ঘৰত ভোজন
কৰি আছিল, তেতিয়া অনেক কৰ সংগ্ৰহকৰী আৰু পাপী লোক আৰু
তেওঁৰ শিষ্য সকলেও তেওঁৰে সৈতে ভোজন কৰিবলৈ বহিল; লগতে
তেওঁৰ পাছে পাছে অহা অনেক লোক তাত উপস্থিত আছিল৷ ১৬
তাতে তেওঁ পাপী আৰু কৰ সংগ্ৰহকৰী সকলৰ সৈতে ভোজন কৰা
দেখি, ফৰীচী সমাজৰ বিধানৰ অধ্যাপক সকলে তেওঁৰ শিষ্য সকলক
ক'লে, "এওঁ কিয় কৰ সংগ্ৰহকৰী আৰু পাপী লোকৰ লগত ভোজন-
পান কৰে"? ১৭ যীচুৰে ইয়াকে শুনি তেওঁলোকক ক'লে, "নিৰোগী
মানুহৰ বাবে চিকিৎসকৰ কোনো প্ৰয়োজন নাই; কিন্তু ৰোগীৰহে
প্ৰয়োজন আছে। মই ধাৰ্মিক জনক নহয় কিন্তু পাপীকহে নিমন্ত্ৰণ
জনাবলৈ আহিছোঁ"। ১৮ এবাৰ যোহনৰ শিষ্য সকল আৰু ফৰীচী
সকলে লঘোন দি আছিল৷ তাতে তেওঁলোকে আহি যীচুক সুধিলে,
"যোহনৰ শিষ্য সকলে আৰু ফৰীচী সকলৰ শিষ্য সকলেও লঘোন
দিয়ে, কিন্তু আপোনাৰ শিষ্য সকলে লঘোন নিদিয়ে; ইয়াৰ কাৰণ
কি"? ১৯ তেতিয়া যীচুৰে তেওঁলোকক ক'লে, "সখি সকল দৰাৰ
লগত থকা সময়ত, তেওঁলোকে লঘোন দিব পাৰে নে? তেওঁলোকৰ
লগত দৰা থাকে মানে তেওঁলোকে লঘোন দিব নোৱাৰে। ২০ কিন্তু
এনে দিন আহিব, যিদিনা তেওঁলোকৰ পৰা দৰাক নিয়া হব আৰু
সেই দিনত তেওঁলোকেও লঘোন দিব। ২১ কোনেও পুৰণি বস্ত্ৰত
নতুন কাপোৰৰ টাপলি নামাৰে; তেনে কৰিলে, যি ডোখৰেৰে টাপলি
মৰা হয়, সেয়ে তাক ফালি নিয়ে; অৰ্থাৎ নতুন ডোখৰে পুৰণিক ফালি
নিয়ে আৰু তেতিয়া সৰহ ভাগহে ফাটি যায়। ২২ পুৰণি ছালৰ মোটত
নতুন দ্ৰাক্ষাৰস কোনোৱে নথয় আৰু যদি কোনোবাই থয়, তেনেহলে
সেই দ্ৰাক্ষাৰসে সেই মোট ফালি পেলাব, তাতে দ্ৰাক্ষাৰস আৰু মোট,
দুয়োটাই নষ্ট হব, কিন্তু নতুন দ্ৰাক্ষাৰস নতুন মোটতহে থয়"। ২৩ তাৰ
পাছত তেওঁ বিশ্ৰামবাৰে শস্যক্ষেত্ৰৰ মাজেদি যাওঁতে, তেওঁৰ শিষ্য
সকলে শস্যৰ থোকবোৰ ছিঙি খাবলৈ ধৰিলে। ২৪ তাতে ফৰীচী সকলে
যীচুক কলে, "চোৱা, বিধান অনুসাৰে বিশ্ৰামবাৰে যি কৰিব নাপায়,
সেইবোৰ ইহঁতে কিয় কৰিছে"? ২৫ তেতিয়া তেওঁ তেওঁলোকক কলে,

“দায়ুদ আৰু তেওঁৰ লগৰবোৰৰ প্ৰয়োজন হোৱাত আৰু ভোক লগাত
যি কৰ্ম কৰিছিল, সেই বিষয়ে আপোনালোকে কেতিয়াও পঢ়া নাই নে?
২৬ তেওঁ কেনেকৈ অবিয়াথ মহা-পুৰোহিতৰ সময়ত, ঈশ্বৰৰ গৃহত
সোমাল আৰু পুৰোহিতৰ বাহিৰে বিধান অনুসৰি অন্য লোকে খাব
নোৱাৰা যি দৰ্শন-পিঠা, সেইবোৰ তেওঁ খালে আৰু লগৰবোৰকো
দিলে”? ২৭ যীচুৱে তেওঁলোকক পুনৰ কলে, “বিশ্ৰামবাৰ মানুহৰ
কাৰণে হল; কিন্তু মানুহ বিশ্ৰামবাৰৰ কাৰণে নহ’ল; ২৮ এই হেতুকে
মানুহৰ পুত্ৰ বিশ্ৰাম-বাৰৰো অধিপতি”।

৩ তাৰ পাছত যীচু পুনৰ নাম-ঘৰত সোমাল; আৰু তাত হাত শুকাই
যোৱা ৰোগী এজন আছিল। ২ বিশ্ৰামবাৰে সেই ব্যক্তি জনক তেওঁ
সুস্থ কৰিব নে নকৰে, ইয়াকে লোক সকলে চাই আছিল৷ আচলতে
তেওঁলোকে তেওঁক অপবাদ দিবৰ বাবে কাৰণ বিচাৰি আছিল। ৩
তেতিয়া যীচুৱে সেই হাত শুকাই যোৱা ৰুগীয়া মানুহ জনক ক’লে,
“উঠা, আৰু সকলোৰে মাজত থিয় হোৱা”। ৪ তাৰ পাছত তেওঁ লোক
সকলক সুধিলে, “বিধানৰ মতে বিশ্ৰামবাৰে বেয়া কৰ্ম নে, ভাল কৰ্ম
কৰা উচিত? আৰু নৰ-বধ কৰিব পায় নে প্ৰাণ ৰক্ষা কৰিব পায়”?
কিন্তু তেওঁলোক মনে মনে থাকিল। ৫ তেতিয়া তেওঁলোকৰ হৃদয়ৰ
কঠিনতা দেখি তেওঁ অসন্তুষ্ট হৈ খঙেৰে চাৰিওফালে চালে আৰু সেই
মানুহ জনক ক’লে, “তোমাৰ হাত খন মেলি দিয়া”। তেতিয়া তেওঁ
হাত খন মেলি দিলে আৰু যীচুৱে সেই হাত খন পূৰ্বৰ সুস্থ অৱস্থালৈ
আনিলে। ৬ তেতিয়া ফৰীচী সকল বাহিৰলৈ ওলাই গৈ হেৰোদীয়া
মানুহ সকলৰ সৈতে আলোচনা কৰিলে আৰু তেওঁক বিনষ্ট কৰিবৰ
বাবে তেওঁৰ বিৰুদ্ধে মন্ত্ৰণা কৰিবলৈ ধৰিলে। ৭ তাৰ পাছত যীচুৱে
যেতিয়া তেওঁৰ শিষ্য সকলৰ সৈতে সাগৰৰ পাৰলৈ গ’ল; তেতিয়া
গালীল আৰু যিহুদীয়াৰ পৰা অহা মানুহৰ দল এটাই তেওঁক অনুসৰণ
কৰিলে; ৮ আৰু যিৰূচালেম, ইদোমৰ যৰ্দ্দনৰ সিপাৰৰ পৰা, তুৰ আৰু
চীদোনৰ চাৰিওফালৰ পৰা মানুহৰ এটা বৃহৎ দলে তেওঁ কৰি থকা
সকলো কৰ্মৰ কথা শুনিলে আৰু তেওঁলোক ওচৰ চাপি আহিল। ৯
তেতিয়া লোক সকলৰ সমাগম অধিক হোৱা দেখি, তেওঁ হেচা-ঠেলাৰ

মাজত নপৰিবৰ বাবে শিষ্য সকলক এখন নাও যুগুত ৰাখিবলৈ আজ্ঞা দিলে। ১০ কিয়নো তেওঁ অনেক লোকক সুস্থ কৰা দেখি, ব্যাধিয়ে ধৰা সকলোৱেই তেওঁক চুবলৈ হেঁচা-ঠেলা কৰি আছিল। ১১ আৰু অশুচি আত্মাবোৰে তেওঁক যেতিয়াই দেখে, তেতিয়াই তেওঁৰ আগত পৰে আৰু কান্দি কান্দি কয়, 'আপুনি ঈশ্বৰৰ পুত্ৰ'। ১২ কিন্তু তেওঁক প্ৰকাশ নকৰিবলৈ সিহঁতক দৃঢ়কৈ সাৱধান কৰি দিলে। ১৩ পাছে তেওঁ পৰ্বতত উঠি, যি সকলক তেওঁ ইচ্ছা কৰিলে, তেওঁলোকক মাতিলে, আৰু তেওঁলোক তেওঁৰ ওচৰলৈ আহিল। ১৪ তেতিয়া তেওঁ বাৰ জনক নিযুক্ত কৰিলে (যি সকলক তেওঁ পাঁচনি নাম দিছিল) যাতে তেওঁলোক তেওঁৰ সঙ্গে সঙ্গে থাকিব পাৰে আৰু তেওঁলোকক যাতে প্ৰচাৰ কৰিবলৈ পঠিয়াব পাৰে, ১৫ আৰু তেওঁলোকে যেন ভূত খেদাবৰ বাবে অধিকাৰো পাব পাৰে৷ ১৬ তেওঁ যি বাৰ জনক নিযুক্ত কৰিলে, সেই কেইজন হ'ল- চিমোন, যি জনক তেওঁ পিতৰ নাম দিছিল৷ ১৭ চিবদিয়ৰ পুতেক যাকোব আৰু যাকোবৰ ভায়েক যোহন, (এই দুজনক বনেৰগচ, অৰ্থাৎ মেঘ-গৰ্জ্জনৰ পুতেক নাম দিলে); ১৮ আন্দ্ৰিয়, ফিলিপ, বাৰ্থলময়, মথি, থোমা, আলফয়ৰ পুতেক যাকোব, থদ্দেয়, জাতীয়তাবাদী চিমোন, ১৯ আৰু তেওঁক শত্ৰুৰ হাতত শোধাই দিয়া ঈষ্কৰিয়োতীয়া যিহূদা। ২০ পাছত তেওঁ এটা ঘৰত সোমাল; আৰু পুনৰায় তাত ইমান মানুহ গোট খালে যে, তেওঁলোকে ভোজন কৰিব নোৱাৰিলে। ২১ তেওঁৰ আত্মীয় সকলে যেতিয়া এই কথা শুনিলে, তেতিয়া তেওঁলোকে তেওঁক, 'তেওঁ বলীয়া হ'ল' বুলি কৈ ধৰিবলৈ ওলাই গ'ল। ২২ আৰু যিৰূচালেমৰ পৰা অহা বিধানৰ অধ্যাপক সকলে ক'লে, "তেওঁৰ গাত বেলচবূব আছে; আৰু ভূতৰ সেই ৰজাৰ দ্বাৰাই তেওঁ ভূতবোৰ খেদায়৷" ২৩ তেতিয়া যীচুৱে তেওঁলোকক ওচৰলৈ মাতি দৃষ্টান্তেৰে ক'লে, "চয়তানে চয়তানক কেনেকৈ খেদাব পাৰে? ২৪ যদি কোনো ৰাজ্য নিজৰ বিৰুদ্ধে নিজে ভাগ হৈ যায়, তেনেহলে সেই ৰাজ্য এক হৈ থাকিব নোৱাৰে। ২৫ আৰু কোনো ঘৰ যদি নিজৰ বিৰুদ্ধে নিজে ভাগ হয়, তেনেহলে সেই ঘৰ এক হৈ থাকিব নোৱাৰে। ২৬ চয়তানেও যদি নিজৰ বিৰুদ্ধে নিজে থিয় হয়, তেনেহলে সি থাকিব নোৱাৰিব কিন্তু

তাৰ গতি অন্ত হব। ২৭ বলৱানজনক প্ৰথমে নাবান্ধিলে, কোনেও
তেওঁৰ ঘৰত সোমাই তেওঁৰ বস্তু লুট কৰিব নোৱাৰে; বান্ধিলেহে তেওঁৰ
ঘৰ লুট কৰিব পাৰিব৷ ২৮ মই আপোনালোকক স্বৰূপকৈ কওঁ, মনুষ্য-
সন্তান সকলৰ সকলো বিধৰ পাপ, আৰু ঈশ্বৰক নিন্দা কৰা যি নিন্দা,
এইবোৰ সকলোৰে ক্ষমা হয়; ২৯ কিন্তু যি কোনোৱে পবিত্ৰ আত্মাৰ
নিন্দা কৰে, সেই জনৰ ক্ষমা কোনো কালে নহ'ব; সি অনন্ত পাপৰ
অধিকাৰী"। **(aiōn g165, aiōnios g166)** ৩০ যীচুৱে এই কথা তেওঁলোকক
কলে; কাৰণ তেওঁলোকে কৈছিল, "তেওঁৰ গাত অশুচি আত্মা আছে৷"
৩১ এনেতে তেওঁৰ মাক আৰু ভায়েক সকল আহি, বাহিৰত থিয় হৈ
তেওঁক মাতি পঠালে। ৩২ তেতিয়া লোক সকল তেওঁৰ চাৰিওকাষে
বহি আছিল; আৰু তেওঁলোকে তেওঁক ক'লে, "চাওক, আপোনাৰ মা,
ভাই আৰু ভনী সকলে বাহিৰত আপোনাক বিচাৰিছে"। ৩৩ তাতে
তেওঁ উত্তৰ দি তেওঁলোকক ক'লে, "মোৰ আই আৰু মোৰ ভাই সকল
কোন"? ৩৪ পাছত তেওঁৰ চাৰিওফালে বহি থকা লোক সকলক চাই
তেওঁ ক'লে, "এওঁলোকলৈ চোৱা, এওঁলোকেই মোৰ আই আৰু মোৰ
ভাই; ৩৫ কিয়নো যি জনে ঈশ্বৰৰ ইচ্ছা পালন কৰে, সেই জনেই মোৰ
ভাই, ভনী, আৰু আইয়ো হয়৷"

**4** তাৰ পাছত যীচুৱে সাগৰৰ তীৰত গৈ পুনৰ উপদেশ দিবলৈ ধৰিলে।
তেতিয়া অধিক লোক তেওঁৰ ওচৰত গোট খোৱাত তেওঁ সাগৰলৈ
গৈ এখন নাৱত উঠি বহিল; আৰু লোক সকল সাগৰৰ পাৰতে ৰৈ
থাকিল। ২ তেতিয়া তেওঁ দৃষ্টান্তেৰে তেওঁলোকক অনেক উপদেশ
দিলে আৰু উপদেশ দিওঁতে তেওঁলোকক কলে: ৩ "শুনক, এজন
খেতিয়কে কঠীয়া সিচঁিবলৈ গ'ল। ৪ তেওঁ সিচোঁতে সিচোঁতে, কিছুমান
কঠীয়া আলিবাটৰ কাষত পৰিল; তাতে চৰাইবোৰে আহি সেইবোৰ
খুঁটি খালে। ৫ কিছুমান কঠিয়া অলপ মাটি থকা শিলনিত পৰিল, তাতে
মাটি ডাঠ নোহোৱাৰ বাবে সোনকালে গজিল৷ ৬ কিন্তু যেতিয়া সূৰ্য
উদয় হ'ল আৰু তাপ লাগিল তেতিয়া শিপা নোহোৱা বাবে, সেইবোৰ
শুকাই গ'ল। ৭ কিছুমান কঠিয়া কাঁইটনিত পৰিল; তাতে কাঁইটীয়া
বনবোৰ বাঢ়ি উঠি সেইবোৰক হেচি ধৰিলে আৰু সেইবোৰত একো

ফল নধৰিলা ৮ আন কিছুমান কঠিয়া ভাল মাটিত পৰিল আৰু গজালি
মেলি বাঢ়ি উঠিল, তাতে ফলউৎপন্ন হ'লা সেই কঠিয়াবোৰৰ কিছুমানে
ডেৰকুৰি, তিনি কুৰি আৰু এশ গুণলৈকে ফল উৎপন্ন কৰিলে।" ৯ তেওঁ
ক'লে, "যাৰ শুনিবলৈ কাণ আছে, তেওঁ শুনক"। ১০ তাৰ পাছত যীচু
নিৰ্জন ঠাইত থকা সময়ত তেওঁৰ সঙ্গী সকলে সেই বাৰ জন শিষ্যৰ
সৈতে গৈ সেই দৃষ্টান্ত কেইটাৰ বিষয়ে তেওঁক সুধিলে। ১১ তেতিয়া
তেওঁ তেওঁলোকক কলে, "ঈশ্বৰৰ ৰাজ্যৰ নিগূঢ়-তত্ত্ব তোমালোকক
দিয়া হৈছো কিন্তু যি সকল লোক বাহিৰত আছে, তেওঁলোকৰ আগত
সকলো কথা দৃষ্টান্তেৰে কোৱা হৈছে, ১২ যাতে তেওঁলোকে যেতিয়া
চাই, হয়, তেওঁলোকে চাই; কিন্তু দেখা নাপায়, আৰু যাতে তেওঁলোকে
যেতিয়া শুনে; হয়, শুনে, কিন্তু বুজি নাপায়, অন্যথা তেওঁলোকে ঘূৰি
আহিলেহেঁতেন, আৰু ঈশ্বৰেও ক্ষমা দিলেহেঁতেনা" ১৩ পাছত তেওঁ
কলে, "তোমালোকে এই দৃষ্টান্ত বুজা নাই নে? তেনেহলে সকলো
দৃষ্টান্ত কেনেকৈ বুজিবা? ১৪ সেই খেতিয়কে বাক্য সিচেঁ। ১৫ য'ত
বাক্য সিচাঁ হয়, সেই আলিবাটৰ কাষত থকা এওঁলোক এনেকুৱা লোক,
এওঁলোকে বাক্য শুনি উঠাৰ লগে লগে চয়তানেআহি তেওঁলোকৰ পৰা
সিচাঁ বাক্য কাঢ়ি নিয়ে; ১৬ সেইদৰে শিলনিত সিচাঁ এওঁলোক এনেকুৱা
লোক, তেওঁলোকে বাক্য শুনাৰ লগে লগে আনন্দেৰে গ্ৰহণ কৰে, ১৭
কিন্তু তেওঁলোকৰ শিপা নথকাত, অলপ দিন মাথোন থাকে; পাছত
বাক্যৰ কাৰণে ক্লেশ বা তাড়না হোৱা মাত্ৰকে তেওঁলোকে বিঘিনি পায়।
১৮ আৰু আনবোৰ কাঁইটনিত সিচাঁ, এওঁলোকে বাক্য শুনাৰ পাছত, ১৯
সংসাৰৰ চিন্তা, ধনৰ মায়া আৰু আন আন বিষয়ৰ লোভসোমাই, বাক্য
হেঁচি ধৰে; তাতে সেই বাক্য বিফল হয়। **(aiōn g165)** ২০ আৰু ভাল
মাটিত সিচাঁ এওঁলোক এনেকুৱা লোক, তেওঁলোকে বাক্য শুনি গ্ৰহণ
কৰে আৰু ত্ৰিশ, ষাঠি আৰু এশ গুণকৈ ফল উৎপন্ন কৰে।" ২১ যীচুৱে
তেওঁলোকক আৰু কলে, "তোমালোকে ঘৰৰ ভিতৰত চাকি জ্বলাই
গছাৰ ওপৰত নথৈ দোণৰ বা খাটৰ তলত থবলৈ আনা নে? কিন্তু তাক
ভিতৰলৈ আনি গছাৰ ওপৰতহে ৰখা হয়া ২২ কিয়নো যি প্ৰকাশিত
নহব এনে কোনো ঢাকি থোৱা বস্তু নাইআৰু যি বিষয় পোহৰলৈ নাহিব,

এনে গোপন কৰি ৰাখিবলৈও কোনো বিষয় নাই। ২৩ কাৰোবাৰ
যদি শুনিবলৈ কাণ আছে, তেওঁ শুনক।" ২৪ যীচুৱে তেওঁলোকক
পুনৰ কলে, "তোমালোকে কি শুনা, তালৈ মন কৰা; যি জোখেৰে
তোমালোকে জোখা, সেই জোখেৰে তোমালোকলৈকো জোখা হব;
আৰু তোমালোকক অধিক দিয়া হব। ২৫ কিয়নো যাৰ আছে, তেওঁকেই
দিয়া হব; কিন্তু যাৰ নাই, তেওঁৰ যি আছে, সেইখিনিও তেওঁৰ পৰা
নিয়া হব।" ২৬ যীচুৱে কলে, "ঈশ্বৰৰ ৰাজ্য এজন মানুহে তেওঁৰ
কঠীয়া মাটিত সিচাঁৰ দৰে হয়৷ ২৭ তেওঁ ৰাতিয়ে-দিনে, শোওঁতে
উঠোতে, সেই কঠীয়া কেনেকৈ গজে আৰু বাঢ়ে, সেই বিষয়ে নাজানে।
২৮ পৃথিৱীয়ে নিজে নিজে, প্ৰথমে পাত, পাছত থোৰ, তাৰ পাছত
থোকত পুৰ হোৱা গুটি উৎপন্ন কৰে। ২৯ তাতে গুটি পকাৰ পাছত,
শস্য দাবৰ সময় উপস্থিত হল বুলি জানি, তেওঁ তেতিয়া কাচি লগায়৷"
৩০ যীচুৱে পুনৰ ক'লে, "আমি কেনেকৈ ঈশ্বৰৰ ৰাজ্যৰ তুলনা দিম, বা
কি দৃষ্টান্তেৰে এই বিষয়টো প্ৰকাশ কৰিম? ৩১ সি এটি সৰিয়হ গুটিৰ
নিচিনা; যি গুটি মাটিত সিচোঁতে, পৃথিৱীৰ আটাই কঠিয়াতকৈ সৰু; ৩২
কিন্তু সেই বীজ সিচাঁৰ পাছত, সি গজি বাঢ়ি আটাই উদ্ভিদতকৈ ডাঙৰ
হয় আৰু ইমান ডাঙৰ ডাঙৰ ডাল ধৰে যে আকাশৰ চৰাইবোৰেও
আহি তাৰ ছাঁত বাস কৰিব পাৰে।" ৩৩ এইদৰে অনেক দৃষ্টান্তেৰে,
যীচুৱে তেওঁলোকৰ শুনা শক্তি অনুসাৰে তেওঁলোকক বাক্য ক'লে৷
৩৪ কিন্তু বিনা দৃষ্টান্তেৰে তেওঁলোকক একো নকলে; অৱশ্যে নিজৰ
শিষ্য সকলক ব্যক্তিগত ভাবে সকলো বিষয় ব্যাখ্যা কৰি বুজাই
দিলে। ৩৫ সেইদিনা গধূলি সময়ত যীচুৱে তেওঁলোকক ক'লে, "আমি
সিপাৰলৈ যাওঁহক৷" ৩৬ তেতিয়া শিষ্য সকলে লোক সকলক এৰি থৈ,
তেওঁ যেনেকৈ নাৱত আছিল, তেনেকৈয়ে যীচুক লগত লৈ গ'ল; আৰু
আন আন নাৱো তেওঁলোকৰ লগত আছিল। ৩৭ পাছত বৰ ধুমুহা
বতাহ ব'লাত, ঢৌৰ কোবত নাও খন পানীৰে পূৰ হবলৈ ধৰিলে।
৩৮ সেই সময়ত তেওঁ নাৱৰ গুৰিৰফালে গাঁৰুত মূৰ দি টোপনি গৈ
আছিল। তেতিয়া তেওঁলোকে তেওঁক জগাই ক'লে, "হে গুৰু, আমি যে
এতিয়া মৰোঁ, ইয়ালৈ আপুনি চিন্তা নকৰে নে"? ৩৯ তেতিয়া তেওঁ

উঠি, বতাহক ডবিয়ালে আৰু সাগৰকো ক'লে, “শান্তিৰে থিৰে থাক৷”
তেতিয়া বতাহ আতৰি গ'ল, আৰু অতি শান্ত হৈ পৰিল। ৪০ যীচুৱে
তেওঁলোকক ক'লে, “তোমালোক কিয় ভয়াতুৰ হৈছা? এতিয়ালৈকে
বিশ্বাস হোৱা নাই নে?” ৪১ তাতে তেওঁলোকে ভয়ত অতিশয় আতুৰ
হৈ ইজনে সিজনে কোৱা-মেলা কৰি কলে, “বতাহ আৰু সাগৰেও যে
এওঁৰ কথা মানে, এওঁ নো কোন?”

৫ তাৰ পাছত তেওঁলোক সাগৰৰ সিটো পাৰে থকা, গেৰাচেনীয়া
সকলৰ অঞ্চল পালে। ২ যীচুৱে নাৱৰ পৰা নমাৰ সময়তে অশুচি
আত্মাই ধৰা এজন মানুহে তেওঁক লগ ধৰিব আহিল৷ সি মৈদামৰ পৰা
ওলাই আহিছিল৷ ৩ সেই মানুহ জনে মৈদামনিত নিবাস কৰিছিল৷
কোনেও তেওঁক বান্ধি ৰাখিব পৰা নাছিল, শিকলিৰেও বান্ধি ৰাখিব
পৰা নাছিল৷ ৪ তেওঁক বাৰে বাৰে বেৰী আৰু শিকলিৰে বান্ধা হৈছিল,
কিন্তু তেওঁ শিকলি ছিঙি পেলাই, বেৰীও ডোখৰ ডোখৰ কৰিছিল৷
তেওঁক দমন কৰিবলৈ কাৰো শক্তি নাছিল। ৫ প্ৰতিটো ৰাতি আৰু
দিনত তেওঁ মৈদামলৈ যায় আৰু পৰ্বতত গৈ চিঞৰে; আৰু শিলেৰে
নিজকে নিজে আঘাত কৰে। ৬ যেতিয়া তেওঁ দূৰৈৰ পৰা যীচুক দেখা
পালে, তেতিয়া তেওঁ দৌৰি আহিল আৰু যীচুক প্ৰণিপাত কৰিলে৷ ৭
তাৰ পাছত তেওঁ কান্দি কান্দি বৰ মাতেৰে কলে, “হে সৰ্ব্বোপৰি
ঈশ্বৰৰ পুত্ৰ যীচু, আপোনাৰ লগত মোৰ কি কাম? মই আপোনাক
ঈশ্বৰৰ শপত দিছোঁ, মোক যাতনা নিদিব”। ৮ কিয়নো যীচুৱে তেওঁক
কৈছিল, “হেৰ অশুচি আত্মা, এই মানুহ জনৰ পৰা বাহিৰ ওলা”। ৯
পাছত যীচুৱে তেওঁক সুধিলে “তোৰ নাম কি?” তাতে সেই মানুহ জনে
তেওঁক ক'লে, “মোৰ নাম বাহিনী কিয়নো আমি অনেক আছোঁ”। ১০
পাছত যীচুৱে যেন সেই ঠাইৰ পৰা সিহঁতক নেখেদে, এই কাৰণে
অনেক বিনয় কৰি ক'লে। ১১ সেই সময়ত ওচৰৰ পৰ্বতত এজাক
গাহৰি চৰি আছিল। ১২ তাতে সেই ভূতবোৰে যীচুক বিনয় কৰি কলে,
“আমাক সেই গাহৰিবোৰৰ ভিতৰত পঠাই দিয়ক; আমাক সিহঁতৰ
ভিতৰত প্ৰৱেশ কৰিবলৈ অনুমতি দিয়ক৷” ১৩ তাতে তেওঁ অনুমতি
দিয়াৰ পাছত সেই অশুচি আত্মাবোৰ বাহিৰ ওলাই গাহৰিবোৰত

সোমাল; তেতিয়া সেই জাকত থকা প্ৰায় দুই হাজাৰ গাহৰি বৰ
জোৰেৰে দৌৰি গৈ গৰাৰ পৰা সাগৰত পানীত পৰি ডুবি মৰিল। ১৪
তেতিয়া যি সকলে সেই গাহৰিৰ জাকবোৰ তত্বাৱধান কৰি আছিল,
তেওঁলোক পলাই গৈ নগৰ আৰু গাঁৱবোৰত সম্বাদ দিলে। তেতিয়া ঘটি
যোৱাৰ ঘটনাতোৰ কথা শুনিবলৈ পোৱাত লোক সকলে সেই অশুচি
আত্মাই ধৰা লোক জনক চাবলৈ আহিল; ১৫ আৰু যীচুৰ ওচৰলৈ আহি,
সেই ভূতে পোৱা মানুহ জনক, অৰ্থাৎ বাহিনীয়ে পোৱা জনক কাপোৰ
পিন্ধি, শুদ্ধ মনেৰে বহি থকা দেখা পাই লোক সকলে ভয় কৰিলে৷ ১৬
সেই ঘটনা যি সকল লোকে দেখিছিল তেওঁলোকে লোক সকলক,
কেনেকৈ কি ঘটিল আৰু ভূতে পোৱা মানুহ জনৰ আৰু গাহৰিবোৰৰ
বিষয়ে বুজাই দিলে৷ ১৭ তেতিয়া সেই ঠাইলৈ অহা লোক সকলে যীচুক
তেওঁলোকৰ অঞ্চলৰ পৰা আতৰি যাবলৈ বিনয় কৰিলে৷ ১৮ পাছত
যীচুৱে যেতিয়া সেই ঠাই এৰি যাবৰ বাবে নাৱত উঠিবলৈ ধৰোতে,
ভূতৰ নিয়ন্ত্ৰণত যি জন আছিল, সেই ব্যক্তি জন ওচৰলৈ আহি তেওঁৰ
সৈতে তেওঁক ৰাখিবলৈ বিনয় কৰিলে৷ ১৯ কিন্তু তেওঁ সেই ব্যক্তিক
অনুমতি নিদি ক'লে, “তুমি ঘৰলৈ গৈ আত্মীয় সকলৰ ওচৰলৈ যোৱা
আৰু প্ৰভুৱে তোমাৰ জীৱনলৈ কি কৰিলে আৰু কেনে দয়া পালা, সেই
বিষয়ে তেওঁলোকক কোৱাগৈ।” ২০ তেতিয়া মানুহ জনে সেই ঠাই
এৰি, যীচুৱে তেওঁলৈ যি মহৎ কৰ্ম কৰিলে, সেই কথা দিকাপলি দেশত
ঘোষণা কৰিবলৈ ধৰিলে; তাতে সকলোৱে বিস্ময় মানিলে। ২১ পাছত
যীচুৱে যেতিয়া নাৱেৰে আকৌ সিপাৰলৈ গ'ল, তেতিয়া মানুহৰ বৃহৎ
দল এটা তেওঁৰ ওচৰত গোট খালে; সেই সময়ত তেওঁ সাগৰৰ তীৰত
আছিল। ২২ এনেতে যায়ীৰ নামেৰে নাম-ঘৰৰ অধিকাৰী এজনে আহি
তেওঁক দেখি তেওঁৰ চৰণত পৰিল৷ ২৩ তেওঁ বাৰে বাৰে বিনয় কৰি
যীচুক কলে, “মোৰ ছোৱালী জনীৰ মৃত্যু ওচৰ চাপিছে; তাই যেন
সুস্থ হৈ জীয়াই থাকে, এই কাৰণে আপুনি আহি, তাইৰ গাত হাত
দিয়কহি।” ২৪ তেতিয়া যীচু তেওঁৰ লগত গ'ল আৰু বহু লোক তেওঁৰ
পাছে পাছে গৈ তেওঁক হেঁচি-মেলি ধৰিলে। ২৫ আৰু সেই সময়ত
তাতে বাৰ বছৰ ধৰি তেজ যোৱা ৰোগ ভোগ কৰি থকা তিৰোতা

এজনী আছিল৷ ২৬ অনেক বেজৰ ওচৰত চিকিৎসা কৰি আৰু সৰ্ব্বস্ব
খৰচ কৰিও তেওঁ সুস্থ হোৱা নাছিল, কিন্তু বেচি কষ্টহে পাই আছিল৷
২৭ তেওঁ যীচুৰ বিষয়ে শুনি, লোক সকলৰ মাজত সোমাল আৰু তেওঁৰ
পাছফালেদি আহি, তেওঁৰ কাপোৰ চুলে৷ ২৮ কিয়নো তেওঁ কৈছিল,
'মই যদি তেওঁৰ কাপোৰ মাথোন চুবলৈ পাওঁ, তেতিয়াও মই ৰক্ষা
পাম'। ২৯ তেতিয়া তেওঁ যীচুক চুবলৈ পাই, তেওঁৰ তেজ বৈ থকা
শুকাই গ'ল আৰু তেওঁ শৰীৰত সেই ব্যাধিৰ পৰা মুক্ত হোৱা গম পালে।
৩০ সেই সময়ত যীচুৱে নিজৰ পৰা শক্তি ওলাই যোৱা গম পাই, লোক
সকলৰ মাজত মুখ ঘূৰাই সুধিলে, "মোৰ কাপোৰ কোনে চুলে?" ৩১
তাতে তেওঁৰ শিষ্য সকলে তেওঁক কলে, "লোক সকলে আপোনাক
হেঁচি-মেলি ধৰা দেখিও, কোনে মোক চুলে বুলি কয় নে?" ৩২ কিন্তু
সেই কৰ্ম কৰা জনীক দেখিবলৈ তেওঁ চাৰিওফালে চালে। ৩৩ তেতিয়া
সেই তিৰোতাই নিজলৈ যি ঘটিল, সেই বিষয়ে জানিব পোৱাত, ভয়েৰে
কঁপি কঁপি আহি তেওঁৰ আগত পৰিল আৰু সকলো সত্য কথা ক'লে৷
৩৪ তাতে যীচুৱে তেওঁক ক'লে, "আইটি, তোমাৰ বিশ্বাসেই তোমাক
সুস্থ কৰিলে; শান্তিৰে যোৱা আৰু সুস্থ থাকি তোমাৰ সেই ব্যাধিৰ পৰা
মুক্ত হোৱা।" ৩৫ তেওঁ এই কথা কয় থাকোতে, নাম-ঘৰৰ অধিকাৰী
জনৰ ঘৰৰ পৰা মানুহবোৰে আহি ক'লে, "তোমাৰ ছোৱালী মৰিল৷
গুৰুক পুনৰ কিয় কষ্ট দিয়া?" ৩৬ কিন্তু যেতিয়া সেই বাক্য যীচুৰ
কাণত পৰিল, তেওঁ নাম-ঘৰৰ অধিকাৰী জনক কলে, "ভয় নকৰিবা;
বিশ্বাস মাথোন ৰাখা।" ৩৭ পাছত পিতৰ, যাকোব আৰু যাকোবৰ
ভায়েক যোহন কিন্তু তেওঁলোকৰ বাহিৰে আন কাকো তেওঁৰ লগত
থাকিব নিদিলে। ৩৮ তেওঁলোকে নাম-ঘৰৰ অধিকাৰী জনৰ ঘৰলৈ
আহি তাতে ক্ৰন্দন আৰু বৰ বিলাপ কৰাবোৰক দেখিলে। ৩৯ পাছত
যীচুৱে ভিতৰলৈ সোমাই, তেওঁলোকক ক'লে, "তোমালোকে কিয়
বিলাপ আৰু ক্ৰন্দন কৰিছা? ৪০ ছোৱালী জনী মৰা নাই, টোপনিতহে
আছে।" তাতে তেওঁলোকে তেওঁক হাঁহিলে। কিন্তু তেওঁ সকলোকে
বাহিৰ কৰি, ছোৱালী জনীৰ মাক-দেউতাক আৰু তেওঁৰ সঙ্গী সকলক
লগত লৈ, যি ঠাইত ছোৱালী জনী আছিল, সেই ঠাইলৈ গ'ল। ৪১

পাছত তেওঁ ছোৱালী জনীৰ হাতত ধৰি তাইক কলে, “টালিথা কুমী”;
অৰ্থাৎ, “আইটি, মই তোমাক কওঁ, উঠা।” ৪২ সেই মুহূৰ্ত্ততে ছোৱালী
জনীয়ে উঠি খোজ কাঢ়িলে, (কিয়নো তাইৰ বয়স বাৰ বছৰ হৈছিল)।
তেতিয়া তেওঁলোকে অতিশয় বিস্ময় মানিলে। ৪৩ পাছত এই কথা
যেন কোনেও নাজানে, তাৰ বাবে তেওঁ তেওঁলোকক এনে দৃঢ় আজ্ঞা
দিলে আৰু তাইক কোনো খোৱা বস্তু দিবলৈ ক’লে।

৬ তাৰ পাছত যীচুৱে সেই ঠাইৰ পৰা ওলাই, নিজ নগৰলৈ আহিল
আৰু তেওঁৰ শিষ্য সকলো তেওঁৰ পাছে পাছে আহিল। ২ পাছত যেতিয়া
বিশ্ৰামবাৰ আহিল, তেওঁ নাম-ঘৰত উপদেশ দিবলৈ ধৰিলে। তাতে
বহুলোকে শুনি, তেওঁৰ কথাত বিস্ময় মানি কলে, “তেওঁ এইবোৰ
শিক্ষা ক’ৰ পৰা পালে? ঈশ্বৰে তেওঁক দিয়া এনে জ্ঞান কেনেকুৱা?
আৰু তেওঁৰ হাতৰ দ্বাৰাই যে এইৰূপে পৰাক্ৰম কাৰ্যবোৰ সাধিত
হয়, এইবোৰ নো কি? ৩ ই সেই বাঢ়ৈ নহয় নে? মৰিয়মৰ পুত্ৰ
আৰু যাকোব, যোচিৰ, যিহূদা আৰু চিমোনৰ ককায়েক নহয় নে?
ইয়াৰ ভনী কেইজনীও আমাৰ ইয়াত নাই নে?” এইদৰে তেওঁলোকে
তেওঁত বিঘিনি পালে। ৪ তেতিয়া যীচুৱে তেওঁলোকক কলে, “আপোন
দেশ, আপোন জ্ঞাতি আৰু আপোন ঘৰৰ বাহিৰে, আন কোনো ঠাইত
এজন ভাববাদী মৰ্যদাহীন নহয়।” ৫ সেই ঠাইত তেওঁ কেইজনমান
নৰিয়াৰ গাত হাত দি, তেওঁলোকক সুস্থ কৰাৰ বাহিৰে তাত আন
একো পৰাক্ৰম কাৰ্য কৰিব নোৱাৰিলে৷ ৬ তেওঁলোকৰ অবিশ্বাসত
তেওঁ বিস্ময় মানিলে। পাছত তেওঁ চাৰিওফালৰ গাঁৱলৈ গৈ উপদেশ
দিলে। ৭ যীচুৱে তেওঁৰ সেই বাৰ জন পাঁচনিক ওচৰলৈ মাতি আনিলে,
আৰু দুজন দুজনকৈ তেওঁলোকক পঠিয়াই দিলে৷ তেওঁলোকক অশুচি
আত্মাবোৰৰ ওপৰত ক্ষমতা দি, ৮ এই আদেশ দিলে যে, তেওঁলোকে
যেন বাটত যাত্ৰা কৰোঁতে নিজৰ লাখুটি ডালত বাহিৰে লগত আন
একো নাৰাখে আৰু তেওঁলোকে যেন লগত পিঠা বা জোলোঙা বা
টঙালিত পইচা, এইবোৰ নলয়; ৯ আৰু দীঘল চোলাও যেন নিপিন্ধে,
কিন্তু তেওঁলোকে ভৰিত চেণ্ডেল পিন্ধক। ১০ যীচুৱে তেওঁলোকক
পুনৰ কলে, “তোমালোকে যেতিয়া এখন ঘৰত সোমোৱা, তেতিয়া

সেই ঠাইৰ পৰা ওলাই নোযোৱালৈকে, সেই ঘৰতে থাকিবা। ১১
কিন্তু ঠাইৰ মানুহে যদি তোমালোকক গ্ৰহণ নকৰে আৰু তোমালোকৰ
কথাও নুশুনে, তেনেহলে সেই ঠাইৰ পৰা ওলাই যাওঁতে সেই ঠাইৰ
লোক সকলৰ বিপক্ষে প্ৰমাণ স্বৰূপে তোমালোকৰ ভৰি-তলুৱাৰ ধুলি
জোকাৰি পেলাবা।" ১২ পাছত তেওঁলোকে ওলাই গৈ মানুহবোৰক
মন-পালটন কৰিবলৈ প্ৰচাৰ কৰিলে; ১৩ বহুত ভূত খেদালে আৰু
বহুত নৰিয়া লোকৰ গাত তেল সানি, তেওঁলোকক সুস্থ কৰিলে। ১৪
এনেদৰে যীচুৰ নাম চাৰিওফালে প্ৰখ্যাত হবলৈ ধৰিলে; তাৰ পাছত
হেৰোদ ৰজায়ো এই কথাবোৰ শুনিবলৈ পালে৷ কিছুমান লোকে ক'ব
ধৰিলে যে, "যোহন বাপ্তাইজক মৃত লোকৰ মাজৰ পৰা জীৱিত হ'ল;
এই হেতুকে তেওঁ এইবোৰ পৰাক্ৰম কাৰ্য সাধন কৰিব পাৰিছে"। ১৫
কিন্তু অন্য কিছুমানে ক'লে, "তেওঁ এলিয়া"; আন কোনোবাই কলে,
"পুৰণি কালৰ ভাববাদী সকলৰ নিচিনা তেৰোঁ এজন ভাববাদী"। ১৬
কিন্তু হেৰোদে এইবোৰ কথা শুনি কলে, "যোহন, যি জনৰ মই মূৰ
ছেদন কৰিলোঁ, তেওঁহে উঠিল"। ১৭ কিয়নো হেৰোদে নিজে মানুহ
পঠিয়াই যোহনক ধৰি আনি বন্দীশালত বন্ধ কৰি ৰাখিছিল৷ এইদৰে
তেওঁক বন্দী কৰাৰ কাৰণ আছিল হেৰোদিয়া, যি জনী তেওঁৰ নিজ
ভাই ফিলিপৰ ভাৰ্যা আছিল আৰু এইজনী হেৰোদিয়াৰ বাবেই তেওঁক
বন্দী কৰিছিল; কাৰণ হেৰোদে হেৰোদিয়াক বিয়া কৰাইছিল৷ ১৮
আৰু যোহনে হেৰোদক কৈছিল, "তুমি ভাইৰ পত্নীক নিজৰ লগত
স্ত্ৰীৰূপে যে ৰাখিছা, এয়া বিধান সন্মত নহয়"। ১৯ এই কথাৰ কাৰণে
হেৰোদিয়া তেওঁৰ বিৰোধী হৈছিল, আৰু তেওঁক বধ কৰিবলৈ ইচ্ছা
কৰিছিল, কিন্তু বধ কৰিব পৰা নাছিল। ২০ কিয়নো হেৰোদে যোহনক
ভয় কৰিছিল আৰু জানিছিল যে, যোহন এজন ধাৰ্মিক আৰু পবিত্ৰ
লোক৷ সেয়েহে হেৰোদে তেওঁক নিৰাপদে ৰাখিবলৈ যত্ন কৰিছিল৷
যেতিয়া তেওঁ যোহনৰ শিক্ষা শুনিছিল, তেতিয়া সেই শিক্ষাই তেওঁক
বিচলিত কৰিছিল আৰু আনন্দেৰে তেওঁৰ কথা শুনিছিল। ২১ কিন্তু
এনে এটা দিন আহিল, সেইদিনা হেৰোদিয়াই নিজৰ কাৰণে কাম
কৰিবলৈ এক সুযোগ পালে: হেৰোদে নিজৰ জন্ম দিনৰ দিনা তেওঁৰ

বিষয়া, সেনাপতি, আৰু গালীল প্ৰদেশৰ প্ৰধান লোক সকলক নৈশ-
ভোজলৈ নিমন্ত্ৰণ কৰিছিল৷ ২২ তাতে হেৰোদিয়াৰ আপোন জীয়েক
ভিতৰলৈ আহিল আৰু নাচি নাচি, হেৰোদ আৰু তেওঁৰে সৈতে ভোজনত
বহা সকলক সন্তুষ্ট কৰিলে৷ তেতিয়া ৰজাই তাইক ক'লে, “তুমি যি
ইচ্ছা কৰা মোক খোজা, মই তাকে তোমাক দিম”। ২৩ আৰু শপত
খাই তাইক ক'লে, “মোক যিহকে খোজা, মই তাকেই দিম, আনকি
মোৰ ৰাজ্যৰ আধা অংশও মই দিম৷” ২৪ তেতিয়া তাই বাহিৰলৈ
গৈ নিজৰ মাকক সুধিলে, “মই কি খুজিম?” তেওঁ ক'লে, “যোহন
বাপ্তাইজকৰ মূৰ।” ২৫ তেতিয়া তাই বেগাই ৰজাৰ ওচৰলৈ আহি
ক'লে, “মই এতিয়াই বাপ্তাইজক যোহনৰ মূৰটো এখন থালত আনি
মোক দিয়াটো ইচ্ছা কৰোঁ।” ২৬ তাতে ৰজা শোকাতুৰ হ'ল কিন্তু নিজৰ
শপতৰ কাৰণে আৰু ভোজনত বহা সকলৰ সন্মুখত তাইক বঞ্চিত
কৰিবলৈ ইচ্ছা নকৰিলে, ২৭ তাতে ৰজাই যোহনৰ মূৰ আনিবলৈ
ৰক্ষক সেনা এজনক আজ্ঞা দি পঠিয়ালে। তেতিয়া সেই সেনা গৈ
বন্দীশালত যোহনৰ মূৰ ছেদন কৰিলে, ২৮ আৰু যোহনৰ মূৰটো এখন
থালত আনি ছোৱালী জনীক দিলে আৰু তাই গৈ তাইৰ মাকক দিলে।
২৯ পাছত তেওঁৰ শিষ্য সকলে এই কথা শুনিবলৈ পোৱাত তেওঁৰ
মৃতদেহটো লৈ গ'ল আৰু মৈদাম দিলে। ৩০ পাছত পাঁচনি সকলে
যীচুৰ ওচৰত গোট খালে আৰু তেওঁলোকে যি যি কৰিছিল আৰু যি যি
শিকাইছিল, সেই সকলো বিষয় তেওঁৰ আগত বৰ্ণনা কৰিলে। ৩১
তেতিয়া তেওঁ তেওঁলোকক কলে, “তোমালোকে অকলে এখন নিৰ্জন
ঠাইলৈ যোৱা আৰু তাতে কিছুকাল বিশ্ৰাম কৰা৷” কিয়নো সেই সময়ত
ইমান মানুহ অহা-যোৱা কৰি আছিল যে, তেওঁলোকে অৱসৰ লবলৈ
আৰু ভোজন কৰিবলৈকো জিৰণি পোৱা নাছিল। ৩২ তেতিয়া শিষ্য
সকল নাৱত উঠি অকলে নিৰ্জন ঠাই এখনলৈ গ'ল। ৩৩ কিন্তু বহু
মানুহে তেওঁলোকক যোৱা দেখিলে আৰু তেওঁলোকক চিনি পালে৷
সেয়েহে তেওঁলোকক দেখা লোক সকলে আটাই নগৰৰ পৰা বামেৰে
তালৈ বেগাই গ'ল, আৰু তেওঁলোকতকৈ আগে গৈ তাত উপস্থিত
হ'ল। ৩৪ যেতিয়া যীচু পাৰলৈ আহিল, তেতিয়া তেওঁ বহু লোকক

তাত উপস্থিত হৈ থকা দেখিলে আৰু তেখেত সকলক দেখি তেওঁৰ
মৰম লাগিল; কিয়নো তেখেত সকল ৰখীয়া নোহোৱা মেৰৰ নিচিনা
আছিল৷ তেওঁ তেখেত সকলক অনেক উপদেশ দিবলৈ ধৰিলে। ৩৫
পাছত দিনৰ শেষ ভাগত তেওঁৰ শিষ্য সকল ওচৰলৈ আহি ক'লে,
“এই ঠাই নিৰ্জন আৰু সময় বহু পলম হৈ গ'ল; ৩৬ গতিকে লোক
সকলক এতিয়া বিদায় দিয়ক, তেতিয়া তেখেত সকলে ওচৰৰ গাঁৱলৈ
গৈ নিজৰ কাৰণে খোৱা বস্তু কিনিব পাৰিব৷” ৩৭ কিন্তু যীচুৱে উত্তৰ দি
তেওঁলোকক ক'লে, “তোমালোকে তেখেত সকলক খাবলৈ দিয়া৷”
তাতে তেওঁলোকে তেওঁক কলে, “আমি গৈ দুশ আধলি (দীনাৰ) ৰ
পিঠা কিনি তেখেত সকলক খাবলৈ দিম নে”? ৩৮ কিন্তু তেওঁ শিষ্য
সকলক ক'লে, “তোমালোকৰ লগত কেইটা পিঠা আছে”? পাছত
তেওঁলোকে বিচাৰ লৈ কলে, “পাঁচটা পিঠা আৰু দুটা মাছ আছে”। ৩৯
তেতিয়া কেচা বনৰ ওপৰত সকলোকে জুম জুমকৈ বহিবলৈ তেওঁ
আদেশ দিলে। ৪০ তাতে তেওঁলোকে এশ এশ আৰু পঞ্চাশ পঞ্চাশ
কৰি গোট বান্ধি বহিল। ৪১ তেতিয়া তেওঁ সেই পাঁচটা পিঠা আৰু দুটা
মাছ লৈ স্বৰ্গলৈ চাই, আশীৰ্বাদকৰিলে; আৰু লোক সকলক ভগাই
দিবলৈ পিঠা ভাঙি ভাঙি শিষ্য সকলক দি থাকিল; আৰু মাছ দুটাও
সকলোকে ভাগ কৰি দিলে। ৪২ তাতে সকলোৱে খাই তৃপ্ত হ'ল। ৪৩
পাছত তেওঁলোকে ডোখৰা-ডুখৰি পিঠা আৰু মাছবোৰ তুলি বাৰটা
পাচি ভৰালে। ৪৪ সেই পিঠা ভোজন কৰা মানুহ পাঁচ হাজাৰ আছিল।
৪৫ তাৰ পাচত যীচুৱে লোক সকলক বিদায় দি থাকোতে, তেওঁৰ শিষ্য
সকলক নাওত উঠি তেওঁ যোৱাৰ আগতে সিপাৰে থকা বৈৎ-চৈদা
নগৰলৈ যাবৰ বাবে আগ্ৰহেৰে আজ্ঞা দিলে। ৪৬ তাৰ পাছত তেওঁ
তেওঁলোকৰ পৰা বিদায় লৈ প্ৰাৰ্থনা কৰিবলৈ পৰ্বতৰ ওপৰলৈ গ'ল।
৪৭ সন্ধিয়া সময়ত সেই নাও খন সাগৰৰ মাজত পাইছিল আৰু তেওঁ
অকলে বামত অাছিল। ৪৮ পাছত তেওঁ দেখিলে যে, শিষ্য সকলে
বতাহৰ বিপৰীতে অতি কষ্টেৰে ব'ঠা বাই নাওত গৈ আছে৷ যীচুৱে
নিশা চতুৰ্থ পৰ মানত, সাগৰৰ ওপৰেদি খোজকাঢ়ি তেওঁলোকৰ
ওচৰলৈ আহি, তেওঁলোকক পাছ পেলাই যাবলৈ ইচ্ছা কৰিলে। ৪৯

কিন্তু সাগৰৰ ওপৰত তেওঁক খোজকাঢ়ি অহা দেখি তেওঁলোকে ভূত
বুলি ভাবি, চিঞৰি উঠিল; ৫০ কিয়নো তেওঁক দেখি সকলোৰে উগুল-
থুগুল লাগিছিল। তেতিয়া তেওঁ তেওঁলোকৰ সৈতে কথা হ'ল আৰু
কলে, "সাহস ৰাখা; মইহে হয়, ভয় নকৰিবা"। ৫১ পাছত তেওঁ শিষ্য
সকলৰ লগত নাৱত উঠিল আৰু বতাহো নাইকিয়া হ'ব ধৰিলে। তাতে
তেওঁলোকে মনতে অতিশয় বিস্ময় মানিলে; ৫২ কিয়নো তেওঁলোকে
পিঠাৰ বিষয়ে বুজি নাপালে, কাৰণ বুজি নাপাবলৈ তেওঁলোকৰ মন
কঠিন কৰা হ'ল। ৫৩ তাৰ পাছত তেওঁলোকে পাৰ হৈ গিনেচৰৎ
প্ৰদেশ পালে, আৰু তাতে নাও খন লগালে। ৫৪ আৰু তেওঁলোকে নাৱৰ
পৰা নামি আহোতে সেই ঠাইৰ মানুহবোৰে যীচুক চিনি পালে৷ ৫৫
তেওঁলোকে বেগাই গৈ সেই অঞ্চলৰ চাৰিওফালে থকা ৰোগী সকলক
খাটত তুলি আনিলে, আৰু তেওঁ যি ঠাইত আছে বুলি শুনিলে, তালৈকে
ৰোগী সকলক নিবলৈ ধৰিলে। ৫৬ তেওঁ যি যি নগৰ আৰু গাঁৱলৈ
গৈছিল, সেই সকলো ঠাইতে নৰিয়া সকলক হাটে-বজাৰে থলে, আৰু
প্ৰাৰ্থনা কৰিলে যাতে তেওঁলোকে তেওঁৰ কাপোৰৰ দহি মাথোন চুবলৈ
পায়; এইদৰে যিমানে চুলে, সকলোৱে ৰক্ষা পালে।

**৭** তাৰ পাছত যিৰূচালেমৰ পৰা অহা কেইজনমান বিধানৰ অধ্যাপক
ফৰীচী সকলৰ সৈতে আহি যীচুৰ ওচৰত গোট খালে৷ ২ তেওঁলোকে
তেওঁৰ কেইজনমান শিষ্যক অশুচি অৰ্থাৎ হাত নুধুৱাকৈ ভোজন কৰা
দেখিছিল। ৩ কিয়নো ফৰীচী আৰু আন ইহুদী সকলে হাত ভালকৈ
নুধুলে ভোজন নকৰে; এই নিয়মক তেওঁলোকৰ পৰিচাৰক সকলে
পুৰুষে পুৰুষে চলি অহা বিধিৰ নিচিনাকৈ মানি চলে। ৪ আৰু বজাৰৰ
পৰা আহি গা নোধোৱা পৰ্য্যন্ত তেওঁলোকে ভোজন নকৰে৷ ইয়াৰ
উপৰি তেওঁলোকে মানি চলিবলৈ গ্ৰহণ কৰা বহু ৰীতি আছে অৰ্থাৎ
তেওঁলোকে ব্যৱহাৰ কৰা বাটি, লোটা, পিতলৰ পাত্ৰ আদিৰ লগতে
ভোজন শয়ন কৰা ঠাইবোৰ পানীৰে ধুই লোৱা নিয়মবোৰো কঠোৰ
ভাবে পালন কৰে। ৫ তেতিয়া ফৰীচী আৰু বিধানৰ অধ্যাপক সকলে
তেওঁক সুধিলে, "আপোনাৰ শিষ্য সকলে পৰিচাৰক সকলে পালন কৰা
পূৰ্বপুৰুষৰ বিধিৰ দৰে আচৰণ নকৰাকৈ, অশুচি হাতেৰে কিয় ভোজন

কৰে”? ৬ তেতিয়া তেওঁ ক’লে, “আপোনালোক কপটীয়া সকলৰ
বিষয়ে যিচয়াই ভালকৈয়ে ভাবোক্তি প্ৰচাৰ কৰিছিল, তেওঁ লিখিছিল
- ‘এই মানুহবোৰে ওঁঠেৰে মোক সন্মান কৰে, কিন্তু তেওঁলোকৰ
মন মোৰ পৰা দুৰৈত থাকে। ৭ তেওঁলোকে অনৰ্থকৰূপে মোক
ভক্তি কৰে, আৰু মানুহৰ ৰীতি নীতিবোৰ আজ্ঞা বুলি শিকায়।’ ৮
আপোনালোকে ঈশ্বৰৰ আজ্ঞা এৰি, লোক সকলৰ পুৰুষে পুৰুষে চলি
অহা বিধান মানিছে”। ৯ তেওঁ পুণৰ ক’লে, “আপোনালোকে এইদৰে
আপোনালোকৰ পুৰুষে পুৰুষে চলি অহা বিধান মানিবৰ বাবে, ঈশ্বৰৰ
আজ্ঞা ভালকৈয়ে অগ্ৰাহ্য কৰিছে। ১০ কিয়নো মোচিয়ে ক’লে, ‘তুমি
তোমাৰ পিতৃ-মাতৃক সন্মান কৰা’ আৰু ‘যি কোনোৱে পিতৃ-মাতৃৰ
অহিতে কুবচন বোলে, তেওঁ নিশ্চয়ে মৰক’। ১১ কিন্তু আপোনালোকে
কয় - ‘যি কোনোৱে নিজৰ পিতৃ বা মাতৃক কয়, মোৰ যি যি বস্তুৰে
আপোনালোকৰ সহায় হব পাৰিলোঁ হয়, সেইবোৰ কৰ্ব্বান (ঈশ্বৰক
দান)কৰা হৈছে; ১২ তেনেহলে তেওঁ পিতৃ বা মাতৃক পুনৰ সন্মান
কৰাৰ প্ৰয়োজন নাই’; ১৩ এইদৰে আপোনালোকে পুৰুষে পুৰুষে
প্ৰচলিত হৈ অহা বিধিৰ কাৰণে ঈশ্বৰৰ বাক্য মূল্যহীন কৰিছে। ইয়াৰ
উপৰি এনে ধৰণৰ বহু কাম আপোনালোকে কৰে।” ১৪ পাছত যীচুৱে
লোক সকলক ওচৰলৈ মাতি আনি আকৌ ক’লে - “আপোনালোক
সকলোৱে মোৰ কথা শুনক আৰু বুজি লওঁক। ১৫ বাহিৰৰ পৰা মানুহৰ
ভিতৰলৈ সোমাই অশুচি কৰিব পৰা কোনো বস্তু নাই; কিন্তু মানুহৰ
ভিতৰৰ পৰা যি যি বাহিৰলৈ ওলাই, সেইবোৰেহে মানুহক অশুচি
কৰে। ১৬ কাৰোবাৰ যদি শুনিবলৈ কাণ আছে, তেওঁ শুনক”। ১৭
পাছত তেওঁ লোক সকলৰ ওচৰৰ পৰা গৈ ঘৰত সোমাল, তেতিয়া
তেওঁৰ শিষ্য সকলে সেই দৃষ্টান্তটোৰ অৰ্থ তেওঁক সুধিলে। ১৮ তাতে
যীচুৱে তেওঁলোকক ক’লে, “তোমালোকো ইমান অবুজ নে? বাহিৰৰ
পৰা মানুহৰ ভিতৰলৈ যিবোৰ বস্তু সোমায়, সেইবোৰে মানুহক অশুচি
কৰিব নোৱাৰে, ১৯ কিয়নো সেইবোৰ বস্তু হৃদয়ত সোমাই নাযায়,
সেইবোৰ পেটত সোমাই শৌচৰ দ্বাৰা বাহিৰ হৈ যায়; এই কথাষাৰো
তোমালোকে বুজি পোৱা নাই নে?” এইদৰে তেওঁ খাব পৰা সকলো

বস্তুকে শুচি বুলি ক'লে। ২০ তেওঁ পুনৰ ক'লে, "মানুহৰ পৰা যি
ওলায় সেইবোৰে মানুহক অশুচি কৰে। ২১ কিয়নো ভিতৰৰ পৰা,
অৰ্থাৎ মানুহৰ মনৰ পৰা কুচিন্তা, ব্যভিচাৰ, চুৰ, নৰ-বধ, ২২ পৰস্ত্ৰী
গমণ, লোভ, দুষ্টতা, ছল, কামাভিলাষ, কু-দৃষ্টি, নিন্দা, অহংকাৰ,
মুৰ্খতা, এইবোৰ ওলায়। ২৩ এই সকলো মন্দ ভিতৰৰ পৰা ওলায়;
আৰু এইবোৰেই মানুহক অশুচি কৰে।" ২৪ পাছত তেওঁ তাৰ পৰা
উঠি, তুৰ আৰু চীদোনৰ সীমালৈ আতৰি গ'ল। তাতে এটা ঘৰত
সোমাই, কোনেও নজনাকৈ থাকিবলৈ ইচ্ছা কৰিলে, কিন্তু লুকাই
থাকিব নোৱাৰিলে। ২৫ যি গৰাকী তিৰোতাৰ জীয়েকক অশুচি আত্মাই
ধৰিছিল, সেই গৰাকী তিৰোতাই যীচুৰ বিষয়ে শুনি ওচৰলৈ আহি
তেওঁৰ চৰণত পৰিল। ২৬ সেই তিৰোতা গৰাকী গ্ৰীক আছিল আৰু
জাতিত চৰফৈনীকীয়া। তাইৰ জীয়েকৰ পৰা ভূত খেদাবলৈ তাই
তেওঁক অনুৰোধ কৰিলে। ২৭ তেতিয়া তেওঁ তাইক ক'লে, "প্ৰথমে
ল'ৰাহঁত খাই তৃপ্ত হওক; কিয়নো ল'ৰাহঁতৰ খোৱা বস্তু কুকুৰৰ আগত
পেলাই দিয়া উচিত নহয়"। ২৮ কিন্তু তাই উত্তৰ দি তেওঁক ক'লে, "হয়
প্ৰভু, তথাপি মেজৰ তলত থকা কুকুৰে ল'ৰাহঁতৰ উফৰি পৰাবোৰ
খাবলৈ পায়"। ২৯ তাতে তেওঁ তাইক ক'লে, "এই কথাৰ কাৰণে তুমি
যোৱা, তোমাৰ জীয়েৰাৰ পৰা ভূত বাহিৰ হৈ ওলাই গ'ল।" ৩০ পাছে,
তাই নিজৰ ঘৰলৈ গৈ দেখিলে যে, ছোৱালী জনী শয্যাত শুই আছে
আৰু ভূত ওলাই গুচি গ'ল। ৩১ আকৌ তেওঁ তুৰৰ সীমাৰ পৰা ওলাই,
চীদোন হৈ দিকাপলিৰ সীমাৰ মাজেদি গালীল সাগৰলৈ আহিল। ৩২
তেতিয়া মানুহবোৰে কলা আৰু খোনা মানুহ এজনক তেওঁৰ ওচৰলৈ
লৈ আহিল আৰু মানুহ জনৰ গাত হাত দিবলৈ তেওঁক বিনয় কৰিলে।
৩৩ তেতিয়া তেওঁ সেই মানুহ জনক ভিৰৰ মাজৰ পৰা আতৰাই নিলে
আৰু মানুহ জনৰ কাণ দুখনত আঙুলি দি; ৩৪ থুইৰে জিভা চুই স্বৰ্গলৈ
চাই হুমুনিয়াহ কাঢ়ি ক'লে- "ইফফাথা, অৰ্থাৎ মুকলি হওক"। ৩৫
তেতিয়া তেওঁৰ কাণ মুকলি হ'ল; আৰু জিভাৰো বান্ধ আতৰিল, তেওঁ
পোন হৈ কথা ক'বলৈ ধৰিলে। ৩৬ পাছত এই কথা কাকো নক'বলৈ
তেওঁ তেওঁলোকক আজ্ঞা দিলে; কিন্তু তেওঁ যিমানেই নিষেধ কৰিলে,

সিমানেই অধিককৈ তেওঁলোকে ঘোষণাহে কৰিবলৈ ধৰিলে; ৩৭ আৰু
তেওঁলোকে অতিশয় বিস্ময় মানি ক'লে, "তেওঁ সকলোবোৰ ভালদৰেই
কৰিলে; তেওঁ কলাকো শুনিবলৈ আৰু বোবাকো কথা ক'বলৈ শক্তি
দিয়ে"।

৮ সেই সময়ত বহু মানুহ দলে দলে আহি তেওঁৰ ওচৰত গোট খাব
ধৰিলে, কিন্তু তেওঁলোকৰ খাবলৈ একো নাছিল৷ তেতিয়া যীচুৱে নিজৰ
শিষ্য সকলক ওচৰলৈ মাতি ক'লে, ২ "এই লোক সকললৈ মোৰ মৰম
লাগিছে; কিয়নো এওঁলোক মোৰ লগত আজি তিনি দিন ধৰি আছে
আৰু এওঁলোকৰ লগত খাবলৈ একো নাই। ৩ যদি মই তেওঁলোকক
নিজৰ নিজৰ ঘৰলৈ লঘোনে বিদায় দিওঁ, তেনেহলে বাটত হয়তো
অচেতন হৈ যাব! কিয়নো কোনো কোনো লোক দুৰৈৰ পৰা আহিছে"।
৪ তেতিয়া তেওঁৰ শিষ্য সকলে তেওঁক ক'লে, "এই লোক সকল তৃপ্ত
হব পৰাকৈ এনে নিৰ্জন ঠাইত ইমানবোৰ পিঠা আমি ক'ৰ পৰা যোগাৰ
কৰিব পাৰিম?" ৫ তেতিয়া তেওঁ তেওঁলোকক সুধিলে, "তোমালোকৰ
কেইটা পিঠা আছে?" তেওঁলোকে ক'লে, "সাতোটা"। ৬ তেতিয়া
তেওঁ লোক সকলক মাটিত বহিবলৈ আদেশ দিলে। পাছত তেওঁ
সেই সাতোটা পিঠা লৈ স্তুতি কৰি, ভাঙি বিলাই দিবলৈ তেওঁৰ শিষ্য
সকলক দিলে; তাতে তেওঁলোকে লোক সকলক বিলাই দিলে। ৭ আৰু
তেওঁলোকৰ লগত অলপ সৰু মাছো আছিল; তেওঁ সেই মাছখিনিকো
আশীৰ্বাদ কৰিলে আৰু বিলাই দিবলৈ ক'লে। ৮ তাতে লোক সকলে
খাই তৃপ্ত হ'ল। তাৰ পাছত তেওঁলোকে বৈ যোৱা টুকুৰাবোৰৰ সাতোটা
ভৰা পাচি তুলি ল'লে। ৯ তাতে তেওঁলোক প্ৰায় চাৰি হাজাৰ মানুহ
আছিল। তাৰ পাছত যীচুৱে তেওঁলোকক বিদায় দিলে; ১০ তেওঁ শিষ্য
সকলৰ সৈতে নাৱত উঠিল আৰু দলমনুথাৰ অঞ্চললৈ গ'ল। ১১ তেতিয়া
ফৰীচী সকল ওলাই আহিল আৰু তেওঁৰে সৈতে তৰ্ক-বিতৰ্ক কৰিবলৈ
ধৰিলে। তেওঁলোকে তেওঁক পৰীক্ষা কৰাৰ উদ্দেশ্যে স্বৰ্গৰ পৰা কোনো
এটা পৰাক্ৰম কাৰ্যৰ চিন বিচাৰিলে। ১২ তাতে তেওঁ আত্মাত বৰকৈ
হুমুনিয়াহ পেলাই ক'লে, "এই কালৰ লোক সকলে কিয় পৰাক্ৰম
কাৰ্যৰ চিন বিচাৰে? মই তোমালোকক স্বৰূপকৈ কওঁ, এই কালৰ লোক

সকলক কোনো চিন দিয়া নহ'ব।" ১৩ পাছে তেওঁ তেওঁলোকক এৰি
আকৌ নাৱত উঠি সিপাৰলৈ গুচি গ'ল। ১৪ তেতিয়া শিষ্য সকলে লগত
পিঠা ল'বলৈ পাহৰিলে। তেওঁলোকৰ লগত এটা পিঠাৰ বাহিৰে নাৱত
একোৱেই নাছিল। ১৫ এনেতে তেওঁ সতৰ্ক কৰি তেওঁলোকক আজ্ঞা
দি ক'লে, "চাবা, তোমালোকে ফৰীচী সকলৰ খমিৰ আৰু হেৰোদৰ
খমিৰলৈ সাৱধান হ'বা।" ১৬ তাতে শিষ্য সকলে ইজনে সিজনে যুক্তি
সহকাৰে কোৱা-মেলা কৰি ক'লে, "অ! আমাৰ পিঠা নাই।" ১৭ যীচুৱে
এই বিষয়ে জানিবলৈ পোৱাত তেওঁলোকক ক'লে, "তোমালোকৰ পিঠা
নোহোৱা হেতুকে, তোমালোকে কিয় যুক্তি-তৰ্ক কৰিছা? তোমালোকে
এতিয়ালৈকে বুজি পোৱা নাই নে? এতিয়ালৈকে তোমালোকৰ হৃদয়
কঠিন কৰি ৰাখিছা নে? ১৮ তোমালোকৰ চকু আছে কিন্তু নেদেখা?
তোমালোকৰ কাণ আছে কিন্তু নুশুনা? তোমালোকৰ মনত নপৰে নে?
১৯ মই যেতিয়া পাঁচ হাজাৰ মানুহৰ মাজত পাঁচটা পিঠা ভাঙি দিছিলোঁ,
তেতিয়া তোমালোকে ৰৈ যোৱা টুকুৰা-টুকুৰবোৰৰ কেইটা পাচি তুলি
লৈছিলা?" তেওঁলোকে ক'লে, "বাৰটা"। ২০ "আৰু যেতিয়া চাৰি হাজাৰ
মানুহৰ মাজত সাতোটা পিঠা ভাঙি দিছিলোঁ, তেতিয়া তোমালোকে ৰৈ
যোৱা টুকুৰা-টুকুৰবোৰৰ কেইটা পাচি তুলি লৈছিলা?" তেওঁলোকে
ক'লে, "সাতোটা"। ২১ তেতিয়া তেওঁ তেওঁলোকক ক'লে, "তেনেহলে
তোমালোকে এতিয়ালৈকে বুজা নাই নে?" ২২ পাছত তেওঁলোক
বৈৎ-চৈদা গাঁৱলৈ আহিল৷ লোক সকলে এজন মানুহক যীচুৰ ওচৰলৈ
আনিলে আৰু তেওঁক চুই দিবলৈ বিনয় কৰিলে। ২৩ তেতিয়া তেওঁ
সেই অন্ধ জনক হাতত ধৰি গাঁৱৰ বাহিৰলৈ লৈ গ'ল। তাতে তেওঁৰ
চকুত থুই দিলে আৰু শৰীৰ চুই সুধিলে- "কিবা দেখিছা নে?" ২৪
তেতিয়া তেওঁ চকু তুলি চাই ক'লে, "লোক সকলক দেখা পাইছো;
কিন্তু তেওঁলোক খোজকাঢ়ি ফুৰা গছৰ নিচিনা।" ২৫ তেতিয়া যীচুৱে
তেওঁৰ চকু পুনৰ হাতেৰে স্পৰ্শ কৰিলে আৰু তেওঁ চকু মেলি দিয়াত,
সকলো পুনৰুদ্ধাৰ হোৱা পালে আৰু সকলোকে স্পষ্টকৈ দেখিলে।
২৬ পাছত যীচুৱে তেওঁক নিজৰ ঘৰলৈ পঠাই দি ক'লে, "নগৰত
নোসোমাবা।" ২৭ পাছত যীচু তেওঁৰ শিষ্য সকলৰ সৈতে চীজাৰিয়া-

ফিলিপীৰ গাওঁবোৰলৈ ওলাই গ'ল৷ বাটত তেওঁ নিজৰ শিষ্য সকলক
সুধিলে, "মানুহবোৰে মোক কোন বুলি কয়?" ২৮ তেতিয়া তেওঁলোকে
ক'লে- "কিছুমানে 'যোহন বাপ্তাইজক'; কিছুমানে 'এলিয়া'; আৰু আন
কিছুমানে ভাববাদী সকলৰ মাজৰ এজন বুলি কয়।" ২৯ তেতিয়া
তেওঁলোকক সুধিলে, "কিন্তু তোমালোকে নো মোক কোন বুলি ভাবা?"
পিতৰে উত্তৰ দি তেওঁক ক'লে, "আপুনি খ্রীষ্ট, সেই অভিষিক্ত জন।"
৩০ তেতিয়া এই বিষয়ে কাৰো আগত নকবলৈ যীচুৱে তেওঁলোকক
সাৱধান কৰি দিলে। ৩১ তেতিয়া তেওঁ তেওঁলোকক কবলৈ ধৰিলে যে,
মানুহৰ পুত্ৰই বহু কষ্ট ভোগ কৰিব লাগিব, তেওঁ পৰিচাৰক সকলৰ
দ্বাৰা অগ্ৰাহ্য হ'ব আৰু প্ৰধান পুৰোহিত আৰু বিধানৰ অধ্যাপক সকলে
তেওঁক বধ কৰিব; তাতে তিনি দিনৰ দিনা পুনৰাই জীয়াই উঠিব
লাগিব। ৩২ তেওঁ এই কথা স্পষ্টভাৱে ক'লে। তেতিয়া পিতৰে তেওঁক
এফলীয়াকৈ নি, অনুযোগ কৰিব ধৰিলে। ৩৩ কিন্তু তেওঁ ঘুৰি, নিজৰ
শিষ্য সকলক চাই পিতৰক ডবিয়াই ক'লে, "মোৰ ওচৰৰ পৰা গুচি যা
চয়তান! তই ঈশ্বৰৰ কথা নাভাবি, মানুহৰ কথাহে ভাবিছ।" ৩৪ পাছত
তেওঁ নিজৰ শিষ্য সকলৰ সৈতে লোক সকলক ওচৰলৈ মাতি আনি
ক'লে, "কোনোৱে যদি মোৰ পাছত আহিবলৈ ইচ্ছা কৰে, তেওঁ নিজকে
নিজে দমন কৰক, আৰু নিজৰ ক্ৰুচ তুলিলৈ মোৰ পাছে পাছে আহক।
৩৫ কিয়নো যি কোনোৱে নিজৰ জীৱন ৰক্ষা কৰিব খোজে, তেওঁ তাক
হেৰুৱাব; কিন্তু যি কোনোৱে মোৰ আৰু শুভবাৰ্তাৰ কাৰণে নিজৰ জীৱন
হেৰুৱায়, তেওঁ সেই জীৱন ৰক্ষা কৰিব। ৩৬ কাৰণ কোনো এজন
মানুহে গোটেই জগত খন পোৱাৰ পাছতো যদি নিজৰ জীৱন হেৰুৱাই,
তেনেহলে তেওঁৰ কি লাভ? ৩৭ কিয়নো মানুহে আপোন জীৱনৰ
সলনি কি দিব পাৰে? ৩৮ কাৰণ এই কালৰ ব্যভিচাৰী আৰু পাপী
লোকৰ সন্মুখত যি কোনোৱে মোক আৰু মোৰ বাক্যত লাজ পায়,
মানুহৰ পুত্ৰ যেতিয়া স্বৰ্গৰ পবিত্ৰ দূত সকলৰ সৈতে তেওঁৰ পিতৃৰ
প্ৰতাপেৰে আহিব, তেতিয়া তেৰোঁ সেই মানুহত লাজ পাব।"

**৯** যীচুৱে তেওঁলোকক ক'লে, "মই তোমালোকক স্বৰূপকৈ কওঁ,
ইয়াত উপস্থিত থকা লোক সকলৰ মাজৰ কিছুমানে ঈশ্বৰৰ ৰাজ্য

পৰাক্ৰমেৰে অহা নেদেখালৈকে মৃত্যুৰ সোৱাদ নাপাব৷” ২ তাৰ ছয়
দিনৰ পাছত যীচুৱে কেৱল পিতৰ, যাকোব আৰু যোহনক লগত লৈ
এটা ওখ পৰ্বতৰ ওপৰলৈ উঠি গ’ল; তাতে তেওঁলোকৰ সন্মুখত তেওঁ
ৰূপান্তৰিত হ’ল। ৩ তেওঁৰ বস্ত্ৰ উজ্বল আৰু এনে বগা হৈছিল যে পৃথিৱীৰ
কোনো ধোবাই তেনে বগা কৰিব নোৱাৰে। ৪ তেতিয়া মোচিৰ সৈতে
এলিয়াই তেওঁলোকক দেখা দিলে, আৰু যীচুৰ লগত কথা-বতৰা হ’ল।
৫ তাতে পিতৰে মাত লগাই যীচুক ক’লে, “ৰব্বি, ইয়াত থকা আমাৰ
ভাল; আমি আপোনালৈ এটা, মোচিলৈ এটা, এলিয়াৰ বাবে এটা,
এইদৰে তিনিটা পঁজা সাজোঁ।” ৬ কিয়নো কি কব লাগিছিল, সেই
বিষয়ে পিতৰে নাজানিছিল; কাৰণ তেওঁলোকৰ বৰ ভয় লাগিছিল। ৭
তেতিয়া এডোখৰ মেঘে তেওঁলোকক ছাঁ কৰি ধৰিলে; আৰু সেই মেঘৰ
পৰা এই বাণী শুনা গ’ল, “এওঁ মোৰ প্ৰিয় পুত্ৰ, এওঁৰ কথা শুনা”।
৮ পাছত তেওঁলোকে অকস্মাতে চাৰিওফাললৈ চাই, যীচুৰ বাহিৰে
আন কাকো দেখা নাপালে৷ ৯ পাছত তেওঁলোক পৰ্বতৰ পৰা নামি
আহোতে, যীচুৱে তেওঁলোকক এই আজ্ঞা দিলে, “তোমালোকে যি
যি দেখিলা, মানুহৰ পুত্ৰ মৃত লোকৰ মাজৰ পৰা পুনৰায় নুঠালৈকে
এই বিষয়ে কাকো নক’বা”। ১০ তাতে তেওঁলোকে সেই কথা মানি
ললে কিন্তু ‘মৃত্যুৰ পৰা পুনৰুত্থান’ কি হয়, এই বিষয়ে নিজৰ মাজতে
সুধা-সুধি কৰিলে। ১১ পাছত তেওঁলোকে যীচুক সুধিলে, “এলিয়া
প্ৰথমে আহিব লাগে বুলি বিধানৰ অধ্যাপক সকলে কিয় কয়?” ১২
তাতে তেওঁ তেওঁলোকক ক’লে, “এই কথা বাস্তৱিক যে এলিয়াই
প্ৰথমে আহি সকলোকে পুনঃপ্ৰতিষ্ঠা কৰে; তেনেহ’লে মানুহৰ পুত্ৰৰ
বিষয়েও নো কেনেকৈ লিখা আছে যে, তেওঁ অনেক দুখভোগ কৰিব
আৰু তেওঁক অৱহেলা কৰা হ’ব? ১৩ কিন্তু মই তোমালোকক কওঁ যে,
এলিয়া আহিল আৰু তেওঁৰ বিষয়ে যেনেকৈ লিখা আছে, তেনেকৈ
মানুহবোৰে নিজ ইচ্ছা অনুসাৰে তেওঁলৈ কৰিলে।” ১৪ পাছত যেতিয়া
তেওঁলোক অন্য শিষ্য সকলৰ ওচৰলৈ আহিল, তেতিয়া তেওঁলোকৰ
চাৰিওফালে অলেখ মানুহে আহি ভিৰ কৰি থকা দেখিলে আৰু বিধানৰ
অধ্যাপক সকলে তাতে তেওঁলোকৰ সৈতে তৰ্ক-বিতৰ্ক কৰি আছিল।

১৫ তেতিয়া লোক সকলে যীচুক দেখি অতিশয় চমৎকৃত হ'ল আৰু
তেওঁৰ ওচৰলৈ বেগাই গৈ তেওঁক আদৰণি জনালে৷ ১৬ তেতিয়া তেওঁ
শিষ্য সকলক সুধিলে, "তোমালোকে এওঁলোকৰ লগত কি বিষয়ত
তর্ক-বিতর্ক কৰি আছা?" ১৭ তেতিয়া লোক সকলৰ মাজৰ পৰা
এজন লোকে তেওঁক উত্তৰ দিলে, "হে গুৰু, মই আপোনাৰ ওচৰলৈ
মোৰ পুত্ৰক আনিলো; অশুচি আত্মাই তাৰ তাত প্ৰৱেশ কৰি তাক
কথা কবলৈ বাধা কৰে৷ ১৮ সেই কাৰণে তাৰ কঁপনি উঠে আৰু তাক
তললৈ পেলাই দিয়ে; তাৰ মুখৰ পৰা ফেন ওলায় আৰু য'তে তাক
ধৰে, ত'তে তাক আছাৰ মাৰি পেলায়; তেতিয়া তাৰ মুখেদি ফেন
ওলায়, আৰু সি দাঁত কৰচে। সি খীণাই গৈছে; সেয়েহে তাক খেদাবলৈ
আপোনাৰ শিষ্য সকলৰ আগত নিবেদন কৰিছিলোঁ, কিন্তু তেওঁলোকে
নোৱাৰিলে।" ১৯ তেতিয়া যীচুৱে উত্তৰ দি তেওঁলোকক ক'লে, "হে
অল্পবিশ্বাসী বংশ, মই তোমালোকৰ লগত কিমান কাল থাকিম?
কিমান কালনো তোমালোকক সহিম? তেওঁক মোৰ ওচৰলৈ আনা৷"
২০ তাতে তেওঁলোকে ল'ৰা জনক তেওঁৰ ওচৰলৈ আনিলে আৰু তাতে
ভূতৰ আত্মাই যীচুক দেখাৰ লগে লগে লৰা জনক মুচৰি পেলালে,
আৰু তাতে সি মাটিত পৰি মুখেদি ফেন উলিয়াই, ছটফটাবলৈ ধৰিলে।
২১ তেতিয়া যীচুৱে ল'ৰা জনৰ দেউতাকক সুধিলে, "ইয়াৰ এনে অৱস্থা
হোৱা কিমান দিন হ'ল?" তাতে তেওঁ ক'লে, "শিশু কালৰে পৰা হৈছে;
২২ আৰু এই আত্মাই তাক নষ্ট কৰিবলৈ বাৰে বাৰে জুই আৰু পানীতো
পেলায়; কিন্তু আপুনি যদি কিবা কৰিব পাৰে তেনেহলে আমালৈ কৃপা
কৰি উপকাৰ কৰক।" ২৩ তেতিয়া যীচুৱে তেওঁক ক'লে, "যদি পাৰে
বুলি ক'লা যে! বিশ্বাস কৰা জনৰ বাবে সকলো সম্ভৱ।" ২৪ তেতিয়া
সেই ল'ৰা জনৰ বাপেকে ৰিঙিয়াই ক'লে, "বিশ্বাস কৰিছোঁ; মোৰ
অবিশ্বাসৰ প্ৰতিকাৰ কৰক!" ২৫ তেতিয়া যীচুৱে মানুহৰ দলটোক
একেলগে ল'ৰি অহা দেখি, সেই অশুচি আত্মাক ডবিয়াই ক'লে, "হে
বোবা আৰু কলা আত্মা, মই তোক আজ্ঞা দিছোঁ, তই ইয়াৰ পৰা
বাহিৰ ওলাই যা; পুনৰ ইয়াত প্ৰৱেশ নকৰিবি৷" ২৬ তেতিয়া সি আটাহ
পাৰি ল'ৰা জনক বৰকৈ মোচোৰা মাৰি বাহিৰ ওলাল; আৰু ল'ৰা জন

দেখিবলৈ মৰাৰ নিচিনা হোৱাত, বহুত মানুহে ক'লে, "সি মৰিল"। ২৭
কিন্তু যীচুৱে হাতত ধৰি তাক উঠালে আৰু তেতিয়া সি উঠি বহিল। ২৮
পাছত তেওঁ ঘৰৰ ভিতৰত প্ৰৱেশ কৰোঁতে তেওঁৰ শিষ্য সকলে গুপুতে
তেওঁক সুধিলে, "আমি সেই আত্মাটোক কিয় খেদাব নোৱাৰিলোঁ?"
২৯ তাতে তেওঁ তেওঁলোকক ক'লে, "প্ৰাৰ্থনাৰ অবিহনে আন কোনো
উপায়েৰে এইবিধক খেদাব নোৱাৰি।" ৩০ পাছত তেওঁলোকে সেই
ঠাইৰ পৰা ওলাই, গালীল প্ৰদেশৰ মাজেদি যাত্ৰা কৰিলে, কিন্তু যীচুৱে
ইচ্ছা কৰিছিল, তেওঁলোকৰ যাত্ৰাৰ কথা কোনেও যেন নাজানে। ৩১
কিয়নো তেওঁ নিজৰ শিষ্য সকলক শিক্ষা দি কৈছিল, বোলে 'মানুহৰ
পুত্ৰক মানুহবোৰৰ হাতত শোধাই দিয়া হ'ব, তেওঁলোকে তেওঁক বধ
কৰিব আৰু বধ কৰাৰ তিন দিনৰ পাছত তেওঁ পুনৰায় উঠিব'। ৩২
কিন্তু তেওঁলোকে সেই কথা নুবুজিলে, আৰু তেওঁক সুধিবলৈকো ভয়
কৰিলে। ৩৩ এইদৰে তেওঁলোক কফৰনাহূমলৈ আহিল। পাছত তেওঁ
ঘৰ সোমাই তেওঁলোকক সুধিলে, "তোমালোকে বাটত কি কোৱা-
মেলা কৰিছিলা?" ৩৪ কিন্তু তেওঁলোক নিজম দি থাকিল; কিয়নো
কোন শ্ৰেষ্ঠ, সেই বিষয়ে বাটত তেওঁলোকে পৰস্পৰে কোৱা-মেলা কৰি
আহিছিল। ৩৫ তাতে তেওঁ বহিল, আৰু বাৰ জন পাঁচনিক মাতি ক'লে,
কোনোৱে যদি প্ৰথম হ'বলৈ ইচ্ছা কৰে, তেওঁ সকলোৰে শেষ আৰু
সকলোৰে পৰিচাৰক হ'ব। ৩৬ তেতিয়া তেওঁ শিশু এজনক লৈ আহিল
আৰু তেওঁলোকৰ মাজত থলে৷ ৩৭ তাৰ পাছত তাক কোলাত লৈ
তেওঁলোকক ক'লে, "যি কোনোৱে এনে শিশু এটিক মোৰ নামেৰে গ্ৰহণ
কৰে; তেওঁ মোকেই গ্ৰহণ কৰে আৰু যি কোনোৱে মোক গ্ৰহণ কৰে,
তেওঁ মোক পঠোৱা জনক গ্ৰহণ কৰে।" ৩৮ তেতিয়া যোহনে তেওঁক
ক'লে, "হে গুৰু, আপোনাৰ নামেৰে ভূতবোৰক খেদোৱা এজনক
আমি দেখিলোঁ; কিন্তু তেওঁ আমাৰ পাছে পাছে নহাত, আমি তেওঁক
নিষেধ কৰিলোঁ।" ৩৯ তেতিয়া যীচুৱে ক'লে, "তেওঁক নিষেধ নকৰিবা;
কিয়নো মোৰ নামেৰে পৰাক্ৰম কাৰ্য কৰাৰ পাছত, সোনকালে মোৰ
নিন্দা কৰিব পৰা কোনো নাই। ৪০ কাৰণ যি জন আমাৰ বিপক্ষ নহয়,
তেওঁ আমাৰ সপক্ষ। ৪১ যি কোনোৱে খ্ৰীষ্টৰ লোক বুলি তোমালোকক

এবাটি পানীকে খুৱায়, মই তোমালোকক স্বৰূপকৈ কওঁ, তেওঁ নিজৰ
পুৰস্কাৰ কোনোমতে নেহেৰুৱাব। ৪২ কিন্তু যি কোনোৱে মোত বিশ্বাস
কৰা এই শিশু সকলৰ মাজৰ এজনৰো বিঘিনি জন্মায়, তেওঁৰ ডিঙিত
জাঁত আঁৰি, সাগৰত পেলাই দিয়াই তেওঁৰ বাবে ভাল হ'ব। ৪৩ যদি
তোমাৰ হাত, তোমাৰ বিঘিনিৰ কাৰণ হয়, তেনেহলে সেই হাত কাটি
পেলোৱা; দুহতীয়া হৈ নৰকৰ নুনুমুৱা জুইলৈ যোৱাতকৈ, কোঙা হৈ
জীৱনত সোমোৱা তোমাৰ ভাল। **(Geenna g1067)** ৪৫ যদি তোমাৰ
ভৰি, তোমাৰ বিঘিনিবোৰৰ কাৰণ হয়, তেনেহলে সেই ভৰি কাটি
পেলোৱা; দুটা ভৰিৰে নৰকত পেলোৱা হোৱাতকৈ, খোৰা হৈ জীৱনত
সোমোৱা তোমাৰ ভাল। **(Geenna g1067)** ৪৭ আৰু তোমাৰ চকুৱো যদি
তোমাৰ বিঘিনিৰ কাৰণ হয়, তেনেহলে তাকো উলিয়াই পেলোৱা; দু-
চকুৱা হৈ, নৰকত পেলোৱা হোৱাতকৈ, এচকুৱা হৈ, ঈশ্বৰৰ ৰাজ্যত
সোমোৱা তোমাৰ ভাল। **(Geenna g1067)** ৪৮ কিয়নো সেই ঠাইত পোক
নমৰে আৰু জুইয়ো নুনুমায়৷ ৪৯ কিয়নো প্ৰতিজনক অগ্নিৰূপ লোণেৰে
লুণীয়া কৰা হ'ব। ৫০ লোণ উত্তম; কিন্তু যদি লোণৰ সোৱাদ নাইকিয়া
হয়, তেনেহলে তাক কিহেৰে লুণীয়া কৰা যাব? তোমালোকৰ অন্তৰত
লোণ ৰাখা, আৰু পৰস্পৰে শান্তিৰে থাকা।"

**১০** তাৰ পাছত যীচুৱে সেই ঠাই এৰি যৰ্দ্দনৰ সিপাৰে থকা যিহুদীয়াৰ
সীমালৈ গ'ল; আৰু লোক সকল আহি আকৌ তেওঁৰ ওচৰত গোট
খালে৷ তেওঁ নিজৰ অভ্যাস অনুযায়ী তেওঁলোকক পুনৰ উপদেশ দিব
ধৰিলে। ২ তেতিয়া ফৰীচী সকল আহি তেওঁক সুধিলে, "পুৰুষে নিজৰ
তিৰোতাক ত্যাগ কৰাতো বিধান সন্মত হয় নে?" এই প্ৰশ্ন তেওঁক
পৰীক্ষা কৰিবৰ বাবে সুধিছিল। ৩ তেতিয়া তেওঁ উত্তৰ দি ক'লে,
"মোচিয়ে আপোনালোকক কি আজ্ঞা দিলে?" ৪ তেওঁলোকে ক'লে,
"এটা প্ৰমাণ পত্ৰ লিখি দি তাইক ত্যাগ কৰিবলৈ মোচিয়ে পুৰুষক
অনুমতি দিলে।" ৫ যীচুৱে তেওঁলোকক ক'লে, "আপোনালোক কঠিন
মনৰ লোক হোৱাৰ কাৰণে তেওঁ এই আজ্ঞা আপোনালোকৰ বাবে
লিখিলে, ৬ কিন্তু সৃষ্টিৰ আদিতে ঈশ্বৰে তেওঁলোকক পুৰুষ আৰু স্ত্ৰী
কৰি সৃজিলে। ৭ 'এই হেতুকে পুৰুষে নিজৰ পিতৃ-মাতৃক এৰি তেওঁৰ

ভাৰ্য্যাত আসক্ত হব, ৮ আৰু দুয়ো এক দেহ হ'ব।গতিকে তেওঁলোক,
পুনৰ দুজন নহয়, কিন্তু এক দেহ।' ৯ এতেকে ঈশ্বৰে যাক যোগ
কৰি দিলে, তেওঁক কোনো মানুহে বিয়োগ নকৰক।" ১০ পাছত
তেওঁলোক যেতিয়া ঘৰত আছিল, শিষ্য সকলে এই বিষয়ে আকৌ
তেওঁক সুধিলে। ১১ তাতে তেওঁ তেওঁলোকক ক'লে, "যি মানুহে নিজৰ
ভাৰ্যাক ত্যাগ কৰি আন এজনীক বিয়া কৰায়, তেওঁ তাইৰ বিৰুদ্ধে
ব্যভিচাৰ কৰে৷ ১২ আৰু যদি তাই নিজৰ স্বামীক ত্যাগ কৰি আন
লোকৰ সৈতে বিয়া হয়, তেনেহলে তায়ো ব্যভিচাৰ কৰে।" ১৩ পাছত
লোক সকলে শিশুবোৰক স্পৰ্শ কৰাৰ আশাৰে তেওঁৰ ওচৰলৈ লৈ
আহিল, কিন্তু তেওঁৰ শিষ্য সকলে তেওঁলোকক ডবিয়ালে। ১৪ তেতিয়া
যীচুৱে দেখা পাই তেওঁলোকৰ ওপৰত কুপিত হৈ ক'লে, "শিশু সকলক
মোৰ ওচৰলৈ আহিব দিয়া, নিষেধ নকৰিবা; কিয়নো ঈশ্বৰৰ ৰাজ্য
এওঁলোকৰ নিচিনা এজনৰ বাবেহে। ১৫ মই তোমালোকক স্বৰূপকৈ
কওঁ, যি কোনোৱে শিশুৰ নিচিনা হৈ ঈশ্বৰৰ ৰাজ্য গ্ৰহণ নকৰে, তেওঁ
কোনোমতে তাত প্ৰৱেশ কৰিব নোৱাৰিব।" ১৬ পাছত তেওঁ সিহঁতক
কোলাত ল'লে আৰু সিহঁতৰ গাত হাত দি আশীৰ্বাদ কৰিলে। ১৭ পাছত
তেওঁ যাত্ৰা আৰম্ভ কৰোঁতে, এজন মানুহে তেওঁৰ ওচৰলৈ বেগাই
আহি তেওঁৰ আগত আঁঠু লৈ সুধিলে, "হে সৎ গুৰু, অনন্ত জীৱনৰ
অধিকাৰী হ'বলৈ মই কি কৰিব লাগিব?" **(aiōnios g166)** ১৮ যীচুৱে
ক'লে, "মোক সৎ কিয় বুলিছা? ঈশ্বৰত বাহিৰে সৎ কোনো নাই। ১৯
তুমি এই আজ্ঞাবোৰ নিশ্চয় জানা যে: নৰ-বধ নকৰিবা, ব্যভিচাৰ
নকৰিবা, চুৰ নকৰিবা, মিছা সাক্ষী নিদিবা, প্ৰবঞ্চনা নকৰিবা আৰু
নিজৰ পিতৃ-মাতৃক সন্মান কৰিবা৷" ২০ মানুহ জনে ক'লে, "হে গুৰু,
ডেকা কালৰে পৰা মই এই সকলোবোৰ আজ্ঞা পালন কৰি আহিছোঁ।"
২১ তেতিয়া যীচুৱে তেওঁলৈ চালে আৰু তেওঁক প্ৰেম কৰি ক'লে, "এটা
বিষয় তোমাৰ বাকী আছে; তুমি গৈ তোমাৰ সৰ্ব্বস্ব বেচি দৰিদ্ৰ সকলক
দান কৰা, তেতিয়াহে স্বৰ্গত তোমাৰ ধন হ'ব৷ তাৰ পাছত আহা, মোক
অনুসৰণ কৰা।" ২২ সেই কথাত তেওঁৰ মুখ ক'লা পৰিল, আৰু তেওঁ
বৰ দুখিত হৈ গুচি গ'ল, কিয়নো তেওঁ বহু ধন-সম্পত্তি থকা মানুহ

আছিল। ২৩ পাছত যীচুৱে চাৰিওফালে চাই শিষ্য সকলক ক'লে, "ধনী
লোকে ঈশ্বৰৰ ৰাজ্যত প্ৰৱেশ কৰা কেনে দুঃসাধ্য!" ২৪ তেওঁৰ সেই
কথাত শিষ্য সকলে বিস্ময় মানিলে। কিন্তু যীচুৱে পুনৰ তেওঁলোকক
ক'লে, "হে সন্তান সকল, যি সকলে ধনত ভাৰসা কৰে, তেওঁলোক
ঈশ্বৰৰ ৰাজ্যত সোমোৱা কেনে দুঃসাধ্য! ২৫ ধনী লোক ঈশ্বৰৰ
ৰাজ্যত প্ৰৱেশ কৰাতকৈ, বেজীৰ বিন্ধাইদি উট সৰকি যোৱাই উজু।"
২৬ তাতে তেওঁলোকে অতিশয় বিস্ময় মানি ইজনে সিজনে কোৱা-
কুই কৰি তেওঁক সুধিলে, "তেনেহলে কোনে পৰিত্ৰাণ পাব?" ২৭
যীচুৱে তেওঁলোকৰ ফালে চাই ক'লে, "মানুহৰ বাবে অসাধ্য হয়; কিন্তু
ঈশ্বৰৰ বাবে নহয়; কিয়নো ঈশ্বৰৰ বাবে সকলো সাধ্য।" ২৮ পিতৰে
তেওঁক ক'বলৈ ধৰিলে, "চাওক, আমি সকলোকে এৰি, আপোনাৰ
পাছে পাছে আহিলোঁ।" ২৯ যীচুৱে ক'লে, "মই তোমালোকক সত্যৰূপে
কওঁ, কোনোৱে যদি মোৰ কাৰণে বা মোৰ শুভবাৰ্তাৰ কাৰণে ঘৰ-
বাৰী, ভাই-ভনী, পিতৃ-মাতৃ, সন্তান, মাটি ত্যাগ কৰি আহিছে, ৩০
তেনেহলে তেওঁলোকে এইবোৰৰ সলনি এশ গুণ ওভোতাই পাব।
তাড়না ভোগ কৰি হলেও এই জগতত এশ গুণ ঘৰ-বাৰী, ভাই, ভনী,
মাতৃ, সন্তান আৰু মাটি পাব; ইয়াৰ উপৰি পৰকালত অনন্ত জীৱন
পাব। **(aiōn g165, aiōnios g166)** ৩১ কিন্তু আগ হোৱা সকলৰ অনেক
লোক পাছ হ'ব আৰু পাছ হোৱা সকল আগ হ'ব।" ৩২ তাৰ পাছত
তেওঁলোকে যিৰূচালেমলৈ যোৱা বাটেৰে যাত্ৰা কৰি আছিল; আৰু যীচু
তেওঁলোকৰ আগে আগে গৈ আছিল৷ এনেতে শিষ্য সকলে বিস্ময়
মানিলে, আৰু পাছে পাছে যোৱা সকলৰো ভয় লাগিল। তেতিয়া তেওঁ
আকৌ বাৰ জন পাঁচনিক চপাই লৈ, নিজ জীৱনত যিবোৰ ঘটনা
অলপতে ঘটিবলগীয়া আছে, সেই বিষয়বোৰ তেওঁলোকক ক'বলৈ
ধৰিলে, ৩৩ "চোৱা, আমি যিৰূচালেমলৈ যাত্ৰা কৰিছোঁ; আৰু মানুহৰ
পুত্ৰক প্ৰধান পুৰোহিত আৰু বিধানৰ অধ্যাপক সকলৰ হাতত শোধাই
দিয়া হ'ব৷ তেওঁলোকে তেওঁক দোষী কৰি প্ৰাণদণ্ডৰ আজ্ঞা দি অনা-
ইহুদী সকলৰ হাতত শোধাই দিব৷ ৩৪ তেওঁলোকে তেওঁক বিদ্ৰূপ
কৰিব, আৰু তেওঁৰ গাত থুই পেলাব, তেওঁক চাবুকেৰে কোবাব আৰু

বধ কৰিব; কিন্তু তিন দিনৰ পাছত তেওঁ পুনৰায় উঠিব।” ৩৫ পাছত
চিবদিয়ৰ পুতেক যাকোব আৰু যোহনে তেওঁৰ ওচৰলৈ আহি ক’লে,
“হে গুৰু, আমি আপোনাক যিহকে খোজো, তাকে যেন আপুনি আমাৰ
বাবে কৰিব আমি এনে ইচ্ছা কৰোঁ।” ৩৬ তেওঁ তেওঁলোকক ক’লে,
“মই তোমালোকৰ বাবে কি কৰাতো তোমালোকে ইচ্ছা কৰা?” ৩৭
তেওঁলোকে ক’লে, “আপোনাৰ প্ৰতাপৰ ৰাজত্বত আমাৰ এজনে যেন
আপোনাৰ সোঁ হাতে আৰু এজনে যেন বাওঁহাতে বহিবলৈ পায়, এনে
অনুমতি দিয়ক।” ৩৮ কিন্তু যীচুৱে তেওঁলোকক উত্তৰ দি ক’লে,
“তোমালোকে কি খুজিছা, সেই বিষয়ে নাজানা। মই যি পাত্ৰত পান
কৰোঁ, তোমালোকে সেই পাত্ৰত পান কৰিব পাৰিবা নে? নতুবা
মই যি বাপ্তিস্মৰে বাপ্তাইজিত হওঁ, তোমালোকেও তাৰে বাপ্তাইজিত
হ’ব পাৰিবা নে?” ৩৯ তেওঁলোকে তেওঁক ক’লে, “আমি পাৰিম।”
তেতিয়া যীচুৱে তেওঁলোকক ক’লে, “মই যি পাত্ৰত পান কৰোঁ, তাত
তোমালোকেও পান কৰিবা; আৰু মই যি বাপ্তিস্মেৰে বাপ্তাইজিত হওঁ,
তোমালোকেও তাৰে বাপ্তাইজিত হ’বা। ৪০ কিন্তু কোন জন মোৰ সোঁ
হাতে বা বাওঁহাতে বহিব, সেই বিষয়ে কবলৈ মোৰ ক্ষমতা নাই, কিন্তু
যি সকলৰ বাবে যুগুত কৰা হৈছে, তেওঁলোককহে দিয়া হ’ব।” ৪১ আন
দহ জনে এই কথা শুনি, যাকোব আৰু যোহনলৈ কুপিত হ’ব ধৰিলে।
৪২ যীচুৱে তেওঁলোকক ওচৰলৈ মাতি ক’লে, “অনা-ইহুদী সকলৰ
শাসনকৰ্তা ৰূপে যি সকল গণ্য, তেওঁলোকে তেওঁলোকৰ ওপৰত
প্ৰভুত্ব কৰে; আৰু বিষয়া সকলে তেওঁলোকৰ ওপৰত ক্ষমতা চলায়,
ইয়াক তোমালোকে জানা। ৪৩ কিন্তু তোমালোকৰ মাজত তেনে নহয়৷
তোমালোকৰ মাজত যি কোনোৱে মহান হ’বলৈ ইচ্ছা কৰে, তেওঁ
তোমালোকৰ পৰিচাৰক হওক, ৪৪ আৰু তোমালোকৰ মাজত যি
কোনোৱে শ্ৰেষ্ঠ হ’বলৈ ইচ্ছা কৰে, তেওঁ সকলোৰে দাস হওক। ৪৫
কিয়নো মানুহৰ পুত্ৰ সেৱা শুশ্ৰূষা পাবৰ বাবে নহয়, কিন্তু সেৱা শুশ্ৰূষা
কৰিবলৈ আৰু অনেকৰ মুক্তিৰ মূল্যৰ অৰ্থে নিজৰ প্ৰাণ দিবলৈহে
আহিল।” ৪৬ তাৰ পাছত তেওঁলোক যিৰীহো নগৰলৈ আহিল। তেওঁ যি
সময়ত নিজৰ শিষ্য সকলৰ সৈতে বহু লোকৰ লগত যিৰিহো নগৰৰ

পৰা গৈ আছিল, সেই সময়ত পথৰ দাঁতিত তীময়ৰ পুতেক বাৰতীময়
নামৰ এজন অন্ধ ভিখাৰী বহি আছিল। ৪৭ সেই বাটেদি নাচৰতীয়া যীচু
আহি থকা বুলি শুনি, তেওঁ আটাহ পাৰি ক'বলৈ ধৰিলে, “হে দায়ুদৰ
সন্তান যীচু, মোক দয়া কৰক!” ৪৮ তাতে অন্ধ মানুহ জনক মনে মনে
থাকিবলৈ অনেক লোকে ডবিয়ালে; কিন্তু তেওঁ অধিককৈ আটাহ পাৰি
ক'লে, “হে দায়ুদৰ সন্তান, মোক দয়া কৰক!” ৪৯ তেতিয়া যীচুৱে
থমকি ৰৈ তেওঁক মাতি আনিবলৈ আজ্ঞা দিলে। তেতিয়া লোক সকলে
সেই অন্ধক ক'লে- “ভয় নকৰিবা, উঠা! তেওঁ তোমাক মাতিছে।” ৫০
তাতে তেওঁ নিজৰ কাপোৰ পেলাই, জাঁপ মাৰি উঠি, যীচুৰ ওচৰলৈ
আহিল। ৫১ তেতিয়া যীচুৱে তেওঁক উত্তৰ দি সুধিলে, “মই তোমাৰ
বাবে কি কৰাতো তোমাৰ ইচ্ছা?” তাতে সেই অন্ধই তেওঁক ক'লে,
“ৰব্বুণি, মই যেন দেখিবলৈ পাওঁ।” ৫২ তেতিয়া যীচুৱে তেওঁক ক'লে,
“যোৱা। তোমাৰ বিশ্বাসেই তোমাক ৰক্ষা কৰিলে।” তেওঁ তেতিয়াই দৃষ্টি
পালে আৰু তেওঁ গৈ থকা পথেৰে তেওঁক অনুসৰণ কৰি যাব ধৰিলে।

**১১** যেতিয়া তেওঁলোক যিৰূচালেমৰ ওচৰৰ জৈতুন পৰ্বতৰ কাষত
থকা বৈৎফগী আৰু বৈথনিয়া পালে, তেতিয়া যীচুৱে নিজৰ শিষ্য সকলৰ
মাজৰ দুজনক আগত পঠিয়াই দিলে; ২ আৰু তেওঁলোকক এই আদেশ
দি ক'লে - “তোমালোকে সন্মুখৰ গাওঁখন লৈ যোৱা। তাত তোমালোকে
সোমাওঁতেই, কোনো মানুহে কেতিয়াও নুঠা এটা গাধ পোৱালি বান্ধি
থোৱা দেখিবা; সেই পোৱালিটো মোৰ বাবে আনাগৈ। ৩ কোনোবাই
যদি তোমালোকক কয়, “এইটো কিয় মেলিছা?” তেতিয়া তোমালোকে
ক'বা, ‘প্ৰভুৰ ইয়াক প্ৰয়োজন আছে, আৰু তেওঁ এতিয়াই ইয়াক পুনৰ
ইয়ালৈ পঠাই দিব'।” ৪ তেতিয়া তেওঁলোকে গৈ, দুৱাৰৰ বাহিৰত
মুকলি বাটত বান্ধি থোৱা এটা গাধ পোৱালি পাই সেইটো মেলিলে। ৫
এনেতে, তাত থিয় হৈ থকা লোক সকলে ক'লে, “তোমালোকে গাধ
পোৱালি মেলি কি কৰা?” ৬ তাতে তেওঁলোকে যীচুৱে কোৱাৰ দৰে
লোক সকলক কোৱাত, লোক সকলে গাধ পোৱালিটো আনিবলৈ
তেওঁলোকক এৰি দিলে। ৭ পাছত শিষ্য দুজনে সেই গাধ পোৱালিটো
যীচুৰ ওচৰলৈ আনিলে আৰু তাৰ ওপৰত তেওঁলোকৰ কাপোৰ পাৰি

দিলে৷ পাছত তাৰ ওপৰত তেওঁ বহিল। ৮ অনেকে নিজৰ নিজৰ
কাপোৰবোৰ পথত পাৰি দিলে, আৰু কিছুমানে পথাৰৰ পৰা ডাল-পাত
আদি কাটি আনি পথত পাৰি দিলে। ৯ যি সকল লোক তেওঁৰ আগে-
পাছে গৈছিল আৰু যি সকলে তেওঁক অনুসৰণ কৰিছিল, তেওঁলোকে
ৰিঙিয়াই ক'বলৈ ধৰিলে, 'জয়! জয়! যি জন প্ৰভুৰ নামেৰে আহিছে,
তেওঁ ধন্য; ১০ আৰু আমাৰ ওপৰ-পিতৃ দায়ুদৰ যি ৰাজ্য আহিছে, সেই
জন ধন্য! উৰ্দ্ধলোকত জয়ধ্বনি হওক'। ১১ এইদৰে যীচু যিৰূচালেমত
প্ৰৱেশ কৰিলে আৰু মন্দিৰ এলেকাত সোমাল। তাৰ পাছত তেওঁ
চাৰিওফালে ঘূৰি সকলোবোৰ চালে। এইদৰে পলম হোৱাত সন্ধিয়া
হৈ আহিল, পাছত তেওঁ বাৰ জন শিষ্যৰ সৈতে বৈথনিয়া গাওঁলৈ
ওলাই গ'ল। ১২ পাছদিনা খন তেওঁলোক বৈথনিয়া গাওঁৰ পৰা ঘুৰি
আহোতে, তেওঁৰ ভোক লাগিল। ১৩ তেতিয়া তেওঁ দুৰৈৰ পৰা,
পাতে সৈতে এজোপা ডিমৰু গছ দেখি, ফল পোৱাৰ আশাত তালৈ
গ'ল; কিন্তু ওচৰ পোৱাত পাতৰ বাহিৰে একো নাপালে; কিয়নো
সেই সময় ডিমৰুৰ ফল দিয়া বতৰ নাছিল। ১৪ তেতিয়া তেওঁ মাত
লগাই সেই গছক ক'লে, "এতিয়াৰ পৰা কোনেও তোৰ ফল কোনো
কালে নাখাওঁক।" তেওঁৰ শিষ্য সকলে, তেওঁ কি ক'লে শুনিলে। **(aiōn
g165)** ১৫ পাছত তেওঁলোক যিৰূচালেম আহি পোৱাত, যীচুৱে মন্দিৰৰ
এলেকাত সোমাই মন্দিৰত বেচা-কিনা কৰা সকলক বাহিৰ কৰিবলৈ
ধৰিলে; আৰু ধন সলোৱা সকলৰ মেজ, আৰু কপৌ বেচাবোৰৰ আসন
লুটিয়াই পেলালে; ১৬ তেওঁ মন্দিৰৰ মাজেদি কোনো লোকক বেচা-
কিনা কৰিবলৈ একো পাত্ৰ লৈ যাব নিদিলে। ১৭ তেওঁ উপদেশ
দি তেওঁলোকক ক'লে, "এনেদৰে লিখা নাই নে?, 'যে মোৰ ঘৰক
সকলো জাতিৰ বাবে প্ৰাৰ্থনাৰ ঘৰ বোলা যাব? কিন্তু তোমালোকে
তাক ডকাইতৰ গুহাকৰিলা'।" ১৮ এই কথা শুনি, প্ৰধান পুৰোহিত
আৰু বিধানৰ অধ্যাপক সকলে তেওঁক কেনেকৈ বধ কৰিব পাৰে,
তাৰ উপায় বিচাৰিব ধৰিলে৷ কিন্তু তেওঁলোকে তেওঁলৈ ভয় কৰিলে
কাৰণ গোটেই লোক সমূহে তেওঁৰ উপদেশত বিস্ময় মানিছিল। ১৯
আৰু সন্ধিয়া হ'লেই তেওঁলোক নগৰৰ বাহিৰলৈ ওলাই গৈছিল। ২০

ৰাতিপুৱা তেওঁলোকে সেই বাটেদি আহোতে, সেই ডিমৰু গছজোপা
শিপাই সৈতে শুকাই যোৱা দেখিলে। ২১ তেতিয়া পিতৰৰ মনত পৰিল
আৰু তেওঁ যীচুক ক'লে, "ৰব্বি, চাওক! আপুনি শাও দিয়া ডিমৰু
গছজোপা শুকাই গ'ল।" ২২ যীচুৱে উত্তৰ দি তেওঁলোকক ক'লে,
"তোমালোকে ঈশ্বৰত বিশ্বাস ৰাখা; ২৩ মই তোমালোকক স্বৰূপকৈ
কওঁ, যি কোনোৱে এই পৰ্বতটোক যদি কয়, ইয়াৰ পৰা উঠি সাগৰত
পৰ গৈ, আৰু মনত সন্দেহ নকৰি যি জনে কয় আৰু তেওঁ যদি সেয়ে
ঘটিব বুলি বিশ্বাস কৰে, তেনেহলে তেওঁলৈ ঈশ্বৰে সেয়ে সিদ্ধ কৰিব।
২৪ এই হেতুকে মই তোমালোকক কওঁ, তোমোলোকে প্ৰাৰ্থনা কৰি
যি যি খোজা, সেই সকলোকে পালোঁ বুলি বিশ্বাস কৰা; তেতিয়াহে
পাবা, ২৫ আৰু স্বৰ্গত থকা তোমালোকৰ পিতৃয়ে যাতে তোমালোকৰো
অপৰাধ ক্ষমাকৰিব, সেই বাবে তোমালোকে প্ৰাৰ্থনা কৰিবলৈ থিয়
হওতে, যদি কাৰোবাৰ বিৰুদ্ধে তোমালোকৰ কিবা কবলগীয়া থাকে,
তেনেহলে তেওঁক নিশ্চয় ক্ষমা কৰা। ২৬ কিন্তু তোমালোকে যদি ক্ষমা
নকৰা, তেনেহলে তোমালোকৰ স্বৰ্গত থকা পিতৃয়েও তোমালোকৰ
অপৰাধ ক্ষমা নকৰিব৷" ২৭ এইদৰে তেওঁলোক আকৌ যিৰূচালেমলৈ
আহিল৷ এনেতে যীচুৱে তেওঁ মন্দিৰত ফুৰোতে, প্ৰধান পুৰোহিত,
বিধানৰ অধ্যাপক, আৰু পৰিচাৰক সকল তেওঁৰ ওচৰলৈ আহি সুধিলে,
২৮ "আপুনি কি ক্ষমতাৰে এইবোৰ কৰিছে বা এইবোৰ কৰিবলৈ কোনে
এই ক্ষমতা আপোনাক দিলে?" ২৯ তেতিয়া যীচুৱে তেওঁলোকক
ক'লে, "মই আপোনালোকক এটা কথা সোধো, আপোনালোকে মোক
উত্তৰ দিয়ক; তেতিয়াহে মই কি ক্ষমতাৰে এইবোৰ কৰিছোঁ সেই
বিষয়ে আপোনালোকক ক'ম। ৩০ 'যোহনৰ বাপ্তিস্ম স্বৰ্গৰ পৰা নে
মানুহৰ পৰা হৈছিল'? মোক উত্তৰ দিয়ক।" ৩১ তেতিয়া তেওঁলোকে
পৰস্পৰে কোৱা-মেলা আৰু যুক্তি-তৰ্ক কৰি ক'লে, 'স্বৰ্গৰ পৰা বুলি যদি
কওঁ, তেনেহলে তেওঁত কিয় বিশ্বাস নকৰিলা, তেওঁ এনেকৈ ক'ব। ৩২
কিন্তু মানুহৰ বুলি ক'ম নে?' তেওঁলোকে মানুহবোৰলৈ ভয় কৰিলে,
কিয়নো সকলোৱে যোহনক স্বৰূপেই এজন ভাববাদী বুলি মানিছিল।
৩৩ পাছে তেওঁলোকে যীচুক উত্তৰ দি ক'লে, "আমি নাজানো।" তাতে

যীচুৱেও তেওঁলোকক ক'লে, “মই কি ক্ষমতাৰে এইবোৰ কৰোঁ, সেই
বিষয়ে ময়ো তোমালোকক নকওঁ।”

১২ পাছত যীচুৱে দৃষ্টান্তৰে ধৰ্মীয় নেতা সকলক ক'বলৈ ধৰিলে,
“এজন মানুহে দ্ৰাক্ষাবাৰী পাতি, তাৰ চাৰিওফালে বেৰা দিলে আৰু
গাত খান্দি তাত আঙুৰৰ ৰস চেপি উলিয়াবৰ বাবে ঘোলনী থলে৷ আৰু
এখন টঙি সাজি খেতিয়ক সকলৰ হাতত গতাই দি আন দেশলৈ গ'ল।
২ পাছত তেওঁ বতৰৰ দিনত খেতিয়ক সকলৰ পৰা সেই দ্ৰাক্ষাবাৰীৰ
কিছুমান গুটিৰ অংশ পাবলৈ তেওঁলোকৰ ওচৰলৈ এজন দাসক পঠাই
দিলে। ৩ কিন্তু তেওঁলোকে সেই দাস জনক ধৰি, কোবাই মেলি শুদা-
হাতে পঠিয়াই দিলে। ৪ পাছত আন এজন দাসক পঠোৱা হ'ল, তাতে
তেওঁলোকে সেই দাসক মূৰত আঘাত কৰিলে আৰু অপমানো কৰিলে।
৫ পুনৰ আন এজনক পঠোৱাত তেওঁলোকে তেওঁকো বধ কৰিলে৷
এনেদৰে কিছুমানক কোবালে আৰু কিছুমানক বধ কৰিলে। ৬ পাছত
পঠিয়াবলৈ তেওঁৰ এজন মাথোন ব্যক্তি আছিল, সেই জন হ'ল তেওঁৰ
প্ৰিয় পুত্ৰ৷ অৱশেষত তেওঁ, তেওঁকো তেওঁলোকৰ ওচৰলৈ পঠাই দিলে৷
তেওঁ ক'লে, ‘তেওঁলোকে নিশ্চয় মোৰ পুত্ৰক সন্মান কৰিব৷’ ৭ কিন্তু
সেই খেতিয়ক সকলে পৰস্পৰে আলোচনা কৰি কলে, ‘এই জনেই
উত্তৰাধিকাৰী; আহা, আমি এওঁক বধ কৰোঁ; তেতিয়া উত্তৰাধিকাৰ
আমাৰেই হ'ব'। ৮ তেতিয়া তেওঁলোকে তেওঁক ধৰিলে আৰু বধ
কৰি, দ্ৰাক্ষাবাৰীৰ বাহিৰত পেলাই দিলে। ৯ এতেকে শেষত সেই
দ্ৰাক্ষাবাৰীৰ গৰাকীয়ে কি কৰিব? তেওঁ আহি, সেই খেতিয়ক সকলক
সংহাৰ কৰি সেই বাৰী আন লোকক দিব। ১০ এই ধৰ্মশাস্ত্ৰৰ বচন
তোমালোকে পঢ়া নাই নে? ‘ঘৰ-সজোতা সকলে যি শিল অগ্ৰাহ্য
কৰিলে, সেয়ে চুকৰ প্ৰধান শিল হ'ল'; ১১ এয়ে প্ৰভুৰ পৰা হ'ল আৰু
আমাৰ দৃষ্টিত আচৰিত;” ১২ তেতিয়া তেখেত সকলে যীচুৰ সেই
দৃষ্টান্তটো তেখেত সকলৰ বিপক্ষে কোৱা বুলি জানিবলৈ পাই তেওঁক
বন্দী কৰিব খুজিলে কিন্তু লোক সকলকলৈ ভয় কৰি তেওঁক এৰি
গুচি গ'ল। ১৩ পাছত যীচুক বাক্যৰূপ ফান্দত ধৰিবৰ আশয়েৰে
তেখেত সকলে কিছুমান ফৰীচী আৰু কেইজনমান হেৰোদীয়া লোকক

তেওঁৰ ওচৰলৈ পঠালে। ১৪ তেওঁলোকে আহি তেওঁক ক'লে, "হে গুৰু,
আমি জানো যে আপুনি কোনো এজনৰে মত মানি নলয় আৰু মানুহৰ
মাজত পক্ষপাতো নকৰে৷ আপুনি সত্যৰূপে ঈশ্বৰৰ পথৰ বিষয়ে শিক্ষা
দিয়ে৷ চীজাৰক কৰ আদায় দিয়াটো বিধান সন্মত হয় নে নহয়?
আমি কৰ আদায় দিম নে নিদিম?" ১৫ কিন্তু তেওঁলোকৰ কপট ভাব
বুজি পাই তেওঁ ক'লে, "আপোনালোকে কিয় মোক পৰীক্ষা কৰিছে?
মোৰ ওচৰলৈ এটা আধলিআনক, মই চাওঁ৷" ১৬ তেতিয়া তেওঁলোকে
এটা আধলি আনি যীচুক দিলে৷ যীচুৱে তেওঁলোকক সুধিলে, "এই
প্ৰতিমূৰ্তি আৰু নাম কাৰ?" তেওঁলোকে তেওঁক ক'লে, "চীজাৰৰ।"
১৭ তেতিয়া যীচুৱে তেওঁলোকক ক'লে, "গতিকে যি চীজাৰৰ, সেয়া
চীজাৰক দিয়ক; আৰু যি ঈশ্বৰৰ, সেয়া ঈশ্বৰক দিয়ক।" তেতিয়া
তেওঁলোকে তেওঁত অতিশয় বিস্ময় মানিলে। ১৮ পাছত পুনৰুত্থান নাই
বুলি কোৱা চদ্দূকী সকল তেওঁৰ ওচৰলৈ আহি তেওঁক সুধিলে, ১৯ "হে
গুৰু, মোচিয়ে আমাৰ বাবে লিখিলে 'কোনো ভাইৰ যদি নিজ ভাৰ্যা
জীয়াই থাকোতে মৃত্যু হয়, কিন্তু তেওঁৰ সন্তান নাই; তেনেহলে তেওঁ
এৰি যোৱা ভাৰ্যাক তেওঁৰ ভায়ে গ্ৰহন কৰিব আৰু তেওঁক সন্তান দিব৷'
২০ সেই ঠাইত সাত জন ভাই-ককাই আছিল; প্ৰথম জনে এগৰাকী
তিৰোতা বিয়া কৰিলে আৰু সন্তান নথকাকৈ তেওঁৰ মৃত্যু হ'ল। ২১
তাতে দ্বিতীয় জনেও তেওঁক বিয়া কৰি সন্তান নথকাকৈ তেওঁৰো মৃত্যু
হ'ল; পাছত তৃতীয় জনৰো সেইদৰেই হ'ল। ২২ সেইদৰে সাত জনেই
সন্তান নথকাকৈ মৃত্যুবৰণ কৰিলে আৰু অৱশেষত সেই তিৰোতা
গৰাকীৰো মৃত্যু হ'ল। ২৩ এতিয়া পুনৰুত্থানত তাই তেওঁলোকৰ
মাজৰ কোন জনৰ ভাৰ্যা হ'ব? কিয়নো তাইক সাত জনেই বিয়া
কৰাইছিল।" ২৪ যীচুৱে তেওঁলোকক ক'লে, "ধৰ্মশাস্ত্ৰ আৰু ঈশ্বৰৰ
পৰাক্ৰমৰ বিষয়ে নজনাতোৱেই হৈছে আপোনালোকৰ ভ্ৰান্তিৰ কাৰণ,
নহয় নে? ২৫ কিয়নো তেওঁলোকে মৃত লোকৰ মাজৰ পৰা যেতিয়া
পুনৰায় উঠে, তেতিয়া তেওঁলোকে বিয়া নকৰাই বা বিয়া দিয়াও
নহয়, কিন্তু স্বৰ্গত থকা দূতৰ নিচিনা হয়।" ২৬ "কিন্তু মৃত লোকৰ
বিষয়ে অৰ্থাৎ তেওঁলোকক যে তোলা হয়, এই বিষয়ে তোমালোকে

মোচিৰ পুস্তকত থকা জোপোহাৰ বৃত্তান্তটোত ঈশ্বৰে যে কৈছিল, ‘মই
অব্রাহামৰ ঈশ্বৰ, ইচহাকৰ ঈশ্বৰ, যাকোবৰ ঈশ্বৰ’ বুলি; ঈশ্বৰে মোচিক
কেনেকৈ কৈছিল, সেই বিষয়ে পঢ়া নাই নে? ২৭ তেওঁ মৃত লোকৰ
ঈশ্বৰ নহয় কিন্তু জীৱিত লোক সকলৰহে ঈশ্বৰ; আপোনালোকে বৰকৈ
ভুল বুজি আছে।” ২৮ তেতিয়া বিধানৰ অধ্যাপক সকলৰ এজনে
আহি, তেওঁলোকে এনে বাদ-বিচাৰ কৰা শুনি দেখিলে যে, যীচুৱে
তেওঁলোকক ভালদৰেই উত্তৰ দিলে৷ তেতিয়া তেওঁ যীচুক সুধিলে,
“কোনটো আজ্ঞা সকলোতকৈ প্ৰয়োজনীয়?” ২৯ যীচুৱে উত্তৰ দিলে,
“প্ৰথমটো এই, ‘হে ইস্রায়েল, শুনা; প্ৰভুৱেই আমাৰ ঈশ্বৰ আৰু তেওঁ
এজন, ৩০ আৰু তুমি সকলো হৃদয়, সকলো প্ৰাণ, সকলো চিত্ত আৰু
সকলো শক্তিৰে তোমাৰ প্ৰভু পৰমেশ্বৰক প্ৰেম কৰা’। ৩১ দ্বিতীয়টো
এই, ‘তোমাৰ চুবুৰীয়াক নিজৰ নিচিনাকৈ প্ৰেম কৰা’। এই দুটাতকৈ
প্ৰধান আন আজ্ঞা নাই।” ৩২ তেতিয়া সেই বিধানৰ অধ্যাপকে তেওঁক
ক’লে, “হে সৎ গুৰু! আপুনি সত্য কথাই কৈছে; প্ৰকৃততে তেওঁ এজন,
তেওঁৰ বাহিৰে আন কোনো নাই; ৩৩ আৰু সকলো হৃদয়, সকলো
বুদ্ধি আৰু সকলো শক্তিৰে তেওঁক প্ৰেম কৰা আৰু নিজৰ নিচিনাকৈ
চুবুৰীয়াক প্ৰেম কৰা, এয়ে সকলো হোমবলি বা বলিদানতকৈয়ো
অধিক।” ৩৪ তাতে যীচুৱে তেওঁক সু-বিবেচনাৰে উত্তৰ দিয়া দেখি
ক’লে, “তুমি ঈশ্বৰৰ ৰাজ্যৰ পৰা দূৰৈত নাই।” তেতিয়াৰে পৰা তেওঁক
পুনৰ কোনো কথা সুধিবলৈ কাৰো সাহস নহ’ল। ৩৫ পাছত যীচুৱে
মন্দিৰত বহি উপদেশ দিওঁতে, সমিধান দি সেই লোক সকলক ক’লে,
“খ্ৰীষ্ট যে দায়ুদৰ সন্তান, এই বিষয়ে বিধানৰ অধ্যাপক সকলে কেনেকৈ
কব পাৰে? ৩৬ কিয়নো দায়ুদে পবিত্ৰ আত্মাৰে নিজে কৈছিল, ‘প্ৰভুৱে
মোৰ প্ৰভুক ক’লে, মোৰ সোঁ হাতে বহি থাকা, যেতিয়ালৈ মই তোমাৰ
শত্ৰুবোৰক তোমাৰ ভৰি-পীৰা নকৰাও৷’ ৩৭ দায়ুদে নিজেই তেওঁক
‘প্ৰভু’ বুলিছিল, তেনেহলে তেওঁ কেনেকৈ তেওঁৰ সন্তান হয়?” আৰু
লোক সমূহে আনন্দেৰে তেওঁৰ কথা শুনিলে। ৩৮ তেতিয়া তেওঁৰ
উপদেশৰ মাজত ক’লে, “বিধানৰ অধ্যাপক সকললৈ আপোনালোক
সাৱধান হওক; তেখেত সকলে দীঘল বস্ত্ৰ পিন্ধি ফুৰিবলৈ ৩৯ আৰু

হাত-বজাৰত নমস্কাৰ, নাম-ঘৰত প্ৰধান আসন, ভোজত প্ৰধান ঠাই,
৪০ এই সকলোকে ইচ্ছা কৰে আৰু বাঁৰী মহিলা সকলৰ ঘৰ-বাৰী
গ্ৰাস কৰি দীঘল প্ৰাৰ্থনাৰে ছদ্মবেশ ধৰে৷ তেখেত সকল অধিক দণ্ডৰ
পাত্ৰ হব।" ৪১ পাছত যীচুৱে ভঁৰালৰ সন্মুখত বহি, লোক সকলে
দান পাত্ৰত কেনেকৈ ধন সুমুৱাইছিল, তাকে চাই আছিল। তেতিয়া
অনেক ধনী লোকে বহু ধন সুমুৱাই দিলে। ৪২ পাছত এজনী দৰিদ্ৰ
বাঁৰী মহিলাই আহি অতি কম মূল্যৰ তামৰ মুদ্ৰাৰ দুই পাই সুমুৱাই
দিলে। ৪৩ তেতিয়া যীচুৱে তেওঁ নিজৰ শিষ্য সকলক ওচৰলৈ মাতি
ক'লে, "মই তোমালোকক স্বৰূপকৈ কওঁ, দান পাত্ৰত ধন সুমুৱাই দিয়া
লোক সকলৰ ভিতৰত এই দৰিদ্ৰ বাঁৰী মহিলা গৰাকীয়ে সকলোতকৈ
অধিক দিলে। ৪৪ কিয়নো সকলোৱে নিজৰ নিজৰ অতিৰিক্ত সম্পত্তিৰ
পৰা দিলে, কিন্তু এই দৰিদ্ৰ বাঁৰীয়ে ধনৰ নাটনি হোৱাতো, তেওঁৰ যি
আছিল অৰ্থাৎ তেওঁৰ সকলো জীৱিকা দিলে।"

**১৩** পাছত যীচু মন্দিৰৰ পৰা ওলাই যাওঁতে তেওঁৰ শিষ্য সকলৰ
এজনে তেওঁক ক'লে, "হে গুৰু, চাওক, কেনে আশ্চৰ্যজনক শিল আৰু
ইয়াৰ গাঁথনি!" ২ তাতে যীচুৱে তেওঁক ক'লে, "তুমি এই বৰ বৰ গাঁথনি
দেখিছা নে? ইয়াৰ কোনো এটা শিল আনটো শিলৰ ওপৰত পৰি
থকা নাপাবা কিয়নো এই সকলো ভাঙি পেলোৱা হব৷" ৩ পাছত তেওঁ
জৈতুন পৰ্বতত, মন্দিৰৰ বিপৰীতে বহি থাকোতে পিতৰ, যাকোব,
যোহন আৰু আন্দ্ৰিয়ই গুপুতে তেওঁক সুধিলে, ৪ "আমাক কওক এনে
ঘটনা কেতিয়া ঘটিব? আৰু এই সকলো সিদ্ধ হ'বলৈ উদ্যত হোৱা চিন
কি হব?" ৫ তেতিয়া যীচুৱে তেওঁলোকক ক'বলৈ ধৰিলে, "কোনেও
যেন তোমালোকক নুভুলায়, এই কাৰণে সাৱধান হোৱা। ৬ অনেকে
মোৰ নামেৰে আহি, 'ময়েই সেই জন', বুলি বহু মানুহক ভুলাব। ৭
তোমালোকে যেতিয়া ৰণৰ কথা আৰু যুদ্ধ হোৱাৰ সম্ভাৱনাৰ বাতৰি
শুনিবা, তেতিয়া উদ্বিগ্ন নহ'বা; কাৰণ এইবোৰ ঘটিব লাগে; কিন্তু শেষ
সময় তেতিয়াও আহিবলৈ আছেই। ৮ কিয়নো জাতিৰ বিৰুদ্ধে জাতি
আৰু ৰাজ্যৰ বিৰুদ্ধে ৰাজ্য উঠিব; ঠায়ে ঠায়ে ভুমিকম্প আৰু আকালো
হ'ব৷ এইবোৰ যাতনাৰ আৰম্ভণিহে মাথোন। ৯ কিন্তু তোমালোকে

নিজলৈ সাৱধান হ'বা; কিয়নো মানুহবোৰে তোমালোকক বিচাৰ সভাত শোধাই দিব; তদুপৰি নাম-ঘৰত তোমালোকক প্ৰহাৰ কৰিব৷ মোৰ কাৰণে দেশাধিপতি আৰু ৰজা সকলৰ সন্মুখত মোৰ সাক্ষী হবলৈ তোমালোক থিয় হ'বা। ১০ কিন্তু প্ৰথমে সকলো জাতিৰ আগত শুভবাৰ্তা প্ৰচাৰ হ'ব লাগিব। ১১ যেতিয়া তেখেত সকলে তোমালোকক বন্দী কৰি নি শোধাই দিব, তেতিয়া কি ক'ব লাগে সেই বিষয়ে আগেয়ে চিন্তা নকৰিবা৷ সেই সময়ত কি কব লাগে, সেই বিষয় তেতিয়াই দিয়া হ'ব; কিয়নো তোমালোক সেই কথা কওঁতা নোহোৱা, কিন্তু পবিত্ৰ আত্মাহে কওঁতা। ১২ তেতিয়া ককায়েকে ভায়েকক, বাপেকে পুতেকক মৰণলৈ শোধাই দিব; আৰু সন্তান সকলে মাক- বাপেকৰ বিৰুদ্ধে থিয় হৈ তেওঁলোকক বধ কৰাব। ১৩ মোৰ নামৰ কাৰণে তোমালোক সকলোৰে ঘৃণাৰ পাত্ৰ হ'বা; কিন্তু যি জনে শেষলৈকে সহন কৰি থাকিব, সেই জনেই পৰিত্ৰাণ পাব। ১৪ কিন্তু যেতিয়া পূজাৰ বাবে সেই ধ্বংসকাৰী ঘিণলগীয়া প্ৰতিমূৰ্তিটো থাকিব নলগীয়া ঠাইত থকা দেখিবা, (যি জনে পঢ়ে, তেওঁ বুজক), তেতিয়া যিহুদীয়াত থকা লোক সকল পৰ্বতলৈ পলায় যাওঁক; ১৫ ঘৰৰ ওপৰত থকা জনে, তেওঁৰ ঘৰৰ ভিতৰৰ পৰা কোনো বস্তু উলিয়াবলৈ নামি নাহক আৰু ভিতৰলৈ নোসোমাওক; ১৬ আৰু পথাৰত থকা জনে নিজৰ কাপোৰ খন ল'বৰ বাবেও উলটি নাযাওঁক। ১৭ কিন্তু সেই কালত গৰ্ভৱতী আৰু কোলাত কেচুৱা থকা তিৰোতা সকলৰ সন্তাপ হ'ব ১৮ এইবোৰ যেন জাৰ-কালত নঘটে, তাৰ বাবে প্ৰাৰ্থনা কৰিবা। ১৯ কিয়নো সেই কেইটা দিনত বহু মনোকষ্ট হ'ব৷ ঈশ্বৰে স্ৰজা সৃষ্টিত, আৰম্ভণিৰে পৰা এতিয়ালৈকে তেনে কষ্ট কেতিয়াও হোৱা নাই আৰু নহ'বও। ২০ যদি প্ৰভুৱে সেই দিনৰ সংখ্যা কম নকৰে, তেনেহলে কোনো মানুহৰে ৰক্ষা নহ'ব৷ কিন্তু যি সকলক তেওঁ মনোনীত কৰিলে, যি সকলক তেওঁ বাছি ল'লে; সেই লোক সকলৰ কাৰণে তেওঁ এই দিনৰ সংখ্যা কম কৰিলে। ২১ তেতিয়া যদিও কোনোৱে তোমালোকক কয়, 'চোৱা, খ্ৰীষ্ট ইয়াত আছে!' বা 'চোৱা, সৌ তাত আছে!' তথাপি বিশ্বাস নকৰিবা। ২২ কিয়নো ভুৱা খ্ৰীষ্ট আৰু ভুৱা ভাববাদী সকল আবিৰ্ভাৱ হব আৰু চিনৰ

সৈতে আশ্চৰ্যজনক কাম কৰিব; সম্ভৱ হ'লে তেওঁলোকে মনোনীত
লোক সকলকো ভুলাবলৈ চেষ্টা কৰিব। ২৩ সেয়েহে তোমালোক
সাৱধান হোৱা! কিয়নো মই তোমালোকক সময়ৰ আগতে এই বিষয়ে
কলোঁ। ২৪ কিন্তু সেই মনোকষ্টৰ দিনবোৰৰ পাছত, সুৰ্য্য অন্ধকাৰময়
হ'ব, চন্দ্ৰয়ো পোহৰ নিদিব ২৫ আকাশৰ পৰা তৰাবোৰ খহি তললৈ
পৰিব আৰু আকাশত থকা পৰাক্ৰমবোৰ লৰোৱা হ'ব। ২৬ তেতিয়া
তেখেত সকলে মানুহৰ পুত্ৰক, পৰাক্ৰম আৰু প্ৰতাপেৰে মেঘৰ ওপৰত
অহা দেখিব। ২৭ তেওঁ দূত সকলক পঠিয়াই পৃথিৱীৰ সীমাৰ পৰা
আকাশৰ সীমালৈকে, চাৰিওফালৰ পৰা নিজৰ মনোনীত লোক সকলক
আনি গোটাব। ২৮ ডিমৰু গছজোপাৰ পৰা এটা দৃষ্টান্ত শিকা। যেতিয়া
তাৰ ঠাল কোমল হৈ কুঁহিপাত মেলে তেতিয়া জহকাল ওচৰ হৈছে বুলি
তোমালোকে জানা। ২৯ সেইদৰে যেতিয়া এইবোৰ ঘটনা দেখিবা,
তেতিয়া তেওঁ ওচৰ চাপি দুৱাৰমুখ পালেহি বুলি তোমালোকে জানিবা।
৩০ মই তোমালোকক স্বৰূপকৈ কওঁ, এই সকলো নঘটালৈকে এই
কালৰ লোক লুপ্ত নহ'ব। ৩১ আকাশ আৰু পৃথিৱী লুপ্ত হ'ব কিন্তু মোৰ
বাক্য কেতিয়াও লুপ্ত নহ'ব। ৩২ কিন্তু পিতৃৰ বাহিৰে সেই সময় বা
দিনৰ প্ৰসংগত কোনো এজনে নাজানে, সেয়া স্বৰ্গৰ দূতেই হওক বা
পুত্ৰই হওক। ৩৩ সেই বিষয়ে সাৱধান হোৱা! পৰ দি প্ৰাৰ্থনা কৰি থাকা;
কিয়নো সেই সময় কেতিয়া আহিব, এই বিষয়ে তোমালোকে নাজানা।
৩৪ সেইদিন এনেদৰে আহিব, যেনেকৈ কোনো লোক নিজৰ ঘৰ এৰি
বিদেশলৈ যায় আৰু নিজৰ দাসবোৰক তেওঁ অধিকাৰ দি প্ৰতিজনৰ
কাম ভাগ কৰি দিয়ে, আৰু ঘৰৰ দুৱৰীক পৰ দি থাকিবলৈ আজ্ঞা দিয়ে।
৩৫ এই হেতুকে তোমালোকেও পৰ দি থাকা; কিয়নো ঘৰৰ গৰাকী
গধূলি বা মাজনিশা বা কুকুৰাই ডাক দিয়া পৰত বা ৰাতিপুৱা কেতিয়া
আহিব তোমালোকে নাজানা। ৩৬ তেওঁ অকস্মাতে আহি তোমালোকক
যেন টোপনিত থকা নেদেখে। ৩৭ মই তোমালোকক কি কি কব লাগে,
সেই সকলোবোৰকে কলোঁ, পৰ দি থাকা।"

**১৪** নিস্তাৰ-পৰ্ব আৰু খমিৰ নোহোৱা পিঠাৰ পৰ্বলৈ দুদিন আছিল;
এনে সময়ত প্ৰধান পুৰোহিত আৰু বিধানৰ অধ্যাপক সকলে কেনেকৈ

যীচুক গোপনে ধৰি বধ কৰিব পাৰে, সেই বিষয়ে উপায় বিচাৰিলে; ২
এনেতে তেখেত সকলে ক'লে, "পৰ্বৰ সময়ত যেন নহয়, কিয়নো
মানুহৰ মাজত হুলস্থুল দৃষ্টি গোচৰ হব নালাগে৷" ৩ পাছত তেওঁ যেতিয়া
বৈথনিয়া গাঁৱৰ চিমোন কুষ্ঠৰোগীৰ ঘৰত ভোজন কৰিবলৈ আহিল,
তাতে তেওঁ ভোজনৰ মেজ পুনৰ পৰিষ্কাৰ কৰিলে; তেতিয়া এজনী
তিৰোতাই বহুমূলীয়া বিশুদ্ধ জটামাংসীৰ সুগন্ধি তেলেৰে ভৰা এটা
স্ফটিকৰ বটল লৈ আহিল৷ তাতে তাই সেই টেমাটো ভাঙি যীচুৰ মুৰত
তেল বাকী দিলে। ৪ সেই সময়ত তাত উপস্থিত থকা কিছুমান লোকে
কুপিত হৈ ইজনে- সিজনক ক'ব ধৰিলে, "এনেদৰে নষ্ট হোৱাৰ কাৰণ
কি? ৫ কিয়নো এই সুগন্ধি তেল বিক্ৰী কৰি, তিনি শ আধলি তকৈয়ো
অধিক পালোহেঁতেন আৰু দৰিদ্ৰ সকলক দান দিব পাৰিলেহেঁতেন।"
তাতে তেওঁলোকে সেই মহিলা গৰাকীক নিন্দা কৰিলে। ৬ কিন্তু
যীচুৱে ক'লে, "তেওঁক এৰি দিয়া; তেওঁক কিয় অশান্তি কৰি আছা?
তেওঁ মোলৈ উত্তম কৰ্মকে কৰিলে। ৭ দৰিদ্ৰ সকল তোমালোকৰ
লগত সদায় থাকিব আৰু যেতিয়া তোমালোকৰ ইচ্ছা হয়, তেতিয়াই
তেওঁলোকৰ উপকাৰ কৰিব পাৰা; কিন্তু তোমালোকে মোক সদায়
তোমালোকৰ লগত নাপাবা। ৮ তেওঁ যি পাৰিলে তাকে কৰিলে; মোক
মৈদামত থোৱা কাৰ্যৰ কাৰণে আগেয়ে মোৰ শৰীৰত তেল সানিলে। ৯
মই তোমালোকক স্বৰূপকৈ কওঁ, গোটেই জগতৰ যি যি ঠাইত এই
শুভবাৰ্তা ঘোষণা কৰা হ'ব, সেই সকলো ঠাইত তেওঁক সুঁৱৰিবৰ
অৰ্থে, তেওঁ যি কৰ্ম কৰিলে, এই কৰ্মকো ঘোষণা কৰা হ'ব।" ১০
পাছত ঈষ্কৰিয়োতীয়া যিহূদা সেই বাৰ জনৰ এজন, তেওঁ যীচুক প্ৰধান
পুৰোহিত সকলৰ হাতত শোধাই দিবলৈ তেখেত সকলৰ ওচৰলৈ
গ'ল। ১১ তেখেত সকলে তেওঁৰ কথা শুনি আনন্দিত হৈ তেওঁক ধন
দিবলৈ প্ৰতিজ্ঞা কৰিলে। তাতে তেওঁ যীচুক সুবিধা অনুসৰি শোধাই
দিবলৈ উপায় বিচাৰিলে। ১২ খমিৰ নোহোৱা পিঠাৰ পৰ্বৰ প্ৰথম দিনা
অৰ্থাৎ নিস্তাৰপৰ্বৰ মেৰ পোৱালি বলি দিয়াৰ দিনা তেওঁৰ শিষ্য সকলে
তেওঁক সুধিলে, "আপোনাৰ বাবে নিস্তাৰ-পৰ্বৰ ভোজ কোন ঠাইত
যুগুত কৰিবলৈ আপুনি ইচ্ছা কৰে?" ১৩ তেতিয়া যীচুৱে নিজৰ দুজন

শিষ্যক পঠিয়ালে আৰু ক'লে, “তোমালোক নগৰলৈ যোৱা; তাতে
একলহ পানী লৈ অহা এজন মানুহে তোমালোকক লগ ধৰিব; তেওঁৰ
পাছে পাছে যাবা; ১৪ আৰু তেওঁ যি ঘৰত সোমায়, সেই ঘৰৰ গৰাকীক
ক'বা, ‘গুৰুৱে কৈছে, মই যি ঠাইত মোৰ শিষ্য সকলৰ সৈতে নিস্তাৰ-
পৰ্বৰ ভোজ খাম, সেই আলহী-কোঠা ক'ত'?” ১৫ তেতিয়া তেওঁ আচ-
বাবেৰে সজোৱা ওপৰ-মহলৰ এটা কোঠালি দেখুৱাই দিব; তাতে
আমাৰ বাবে ভোজন যুগুত কৰাগৈ। ১৬ তেতিয়া শিষ্য দুজন ওলাই
নগৰলৈ গ'ল আৰু যীচুৱে যেনেকৈ কৈছিল, তেনেকৈয়ে তেওঁলোকে
সকলোবোৰ পালে৷ পাছত তেওঁলোকে তাতে নিস্তাৰ-পৰ্বৰ ভোজ যুগুত
কৰিলে। ১৭ পাছত সন্ধিয়া সময়ত তেওঁ বাৰ জন শিষ্যৰ লগত সেই
ঠাইলৈ আহিল। ১৮ তাতে তেওঁলোকে যেতিয়া ভোজনৰ মেজত বহিল
আৰু খাব ধৰিলে, তেতিয়া যীচুৱে ক'লে, “মই তোমালোকক সঁচাকৈ
কওঁ, তোমালোকৰ মাজৰ এজনে অৰ্থাৎ মোৰ লগত ভোজন কৰা
জনেই মোৰ বিশ্বাসঘাতক হব।” ১৯ তেতিয়া তেওঁলোক সকলোৱে
দুখ কৰিলে, আৰু এজন এজনকৈ তেওঁক ক'লে, “সেই জন নিশ্চয় মই
নহয়?” ২০ তাতে তেওঁ তেওঁলোকক ক'লে, “এই বাৰ জনৰ মাজৰ
যি জনে মোৰে সৈতে ভোজন-পাত্ৰত পিঠা জুবুৰিয়ায়, তেৱেঁই সেই
জন। ২১ কিয়নো মানুহৰ পুত্ৰৰ বিষয়ে যেনেকৈ লিখা আছে, তেনেকৈ
তেওঁৰ গতি হ'ব; কিন্তু যি জন মানুহৰ দ্বাৰাই মানুহৰ পুত্ৰক শোধাই
দিয়া হ'ল, তেওঁ সন্তাপৰ পাত্ৰ; সেই মানুহ জনৰ জন্ম নোহোৱা হ'লেই
তেওঁৰ ভাল আছিল।” ২২ তেওঁলোকে ভোজন কৰোঁতে, তেওঁ পিঠা
লৈ, আশীৰ্বাদ কৰিলে আৰু ভাঙি তেওঁলোকক দি ক'লে, “লোৱা; এয়ে
মোৰ শৰীৰ।” ২৩ পাছত তেওঁ পান পাত্ৰটো লৈ স্তুতি কৰি তেওঁলোকক
দিলে৷ তাতে সকলোৱে তাক পান কৰিলে। ২৪ তেওঁ তেওঁলোকক
ক'লে, “বিধানৰ মতে মোৰ যি তেজ অনেকৰ কাৰণে উলিওৱা হৈছে,
সেয়ে এই নিয়মৰ তেজ। ২৫ মই তোমালোকক স্বৰূপৈকে কওঁ, ঈশ্বৰৰ
ৰাজ্যত ৰস পান নকৰা দিনলৈকে এতিয়াৰ পৰা দ্ৰাক্ষাগুটিৰ ৰস পুনৰ
পান নকৰোঁ।” ২৬ পাছত তেওঁলোকে গীত গাই গাই বাহিৰলৈ ওলাই
আহি জৈতুন পৰ্বতলৈ গ'ল। ২৭ তাতে যীচুৱে তেওঁলোকক ক'লে,

“তোমালোক সকলোৱে মোৰ কাৰণে বিঘিনি পাবা; কিয়নো এনে
লিখা আছে যে, ‘মই মেৰৰখীয়াক আঘাত কৰিম, তাতে মেৰবোৰ
সিচঁৰতি হৈ যাব।’ ২৮ কিন্তু মোৰ উত্থানৰ পাছত মই তোমালোকৰ
আগে আগে গালীল প্ৰদেশলৈ যাম।” ২৯ তেতিয়া পিতৰে যীচুক ক’লে,
“যদিও সকলোৱে বিঘিনি পায়, তথাপি মই নাপাম।” ৩০ তেতিয়া
যীচুৱে তেওঁক ক’লে, “মই তোমাক স্বৰূপকৈ কওঁ, আজি এই ৰাতি
কুকুৰাই দুবাৰ ডাক দিয়াৰ আগেয়ে, তুমি মোক তিনি বাৰ অস্বীকাৰ
কৰিবা৷” ৩১ কিন্তু পিতৰে অতি দৃঢ়কৈ ক’লে, “যদি আপোনাৰ লগত
মই মৰিবও লাগে, তথাপি আপোনাক অস্বীকাৰ নকৰিম।” এইদৰে
সকলোৱে প্ৰতিজ্ঞা কৰি ক’লে৷ ৩২ পাছত তেওঁলোকে গেৎচিমানী
নামৰ এখন ঠাইত আহি, যীচুৱে নিজৰ শিষ্য সকলক ক’লে, “মই
প্ৰাৰ্থনা কৰি অহালৈকে তোমালোক ইয়াতে বহি থাকা।” ৩৩ পাছত
তেওঁ পিতৰ, যাকোব আৰু যোহনক নিজৰ লগত নিলে আৰু তেওঁ
অতিশয় চমৎকৃত আৰু ব্যাকুল হ’ব ধৰিলে। ৩৪ তাতে তেওঁলোকক
ক’লে, “মোৰ প্ৰাণ মৰণৰ তুল্য শোকাতুৰ হৈছে; তোমালোকে ইয়াতে
থাকি পৰ দিয়া৷” ৩৫ পাছত তেওঁ অলপ আগুৱাই গৈ, মাটিত পৰি,
যদি হ’ব পাৰে, তেনেহলে সেই দুঃসময় তেওঁৰ পৰা দুৰ হ’বলৈ প্ৰাৰ্থনা
কৰি ক’লে, ৩৬ “আব্বা, পিতৃ, সকলো তোমাৰ সাধ্য; মোৰ পৰা এই
দূখৰ পান-পাত্ৰদুৰ কৰা; কিন্তু মোৰ ইচ্ছা নহয়, তোমাৰ ইচ্ছাৰে।”
৩৭ পাছত তেওঁ আহি, তিনি জন শিষ্যকো টোপনিয়াই থকা দেখি,
পিতৰক ক’লে, “হে, চিমোন, তুমিও টোপনি গ’লা নে? ৩৮ এঘণ্টাও
পৰ দি থাকিব নোৱাৰিলা নে? পৰীক্ষাত যেন নপৰা, এই কাৰণে
তোমালোকে পৰ দি প্ৰাৰ্থনা কৰা; আত্মা ইচ্ছুক কিন্তু শৰীৰ দূৰ্বল।”
৩৯ তেতিয়া তেওঁ আকৌ আতৰি গৈ, একে কথাকে কৈ প্ৰাৰ্থনা কৰিলে।
৪০ পাছত আকৌ আহি, তেওঁলোকক টোপনিত থকা পালে; কিয়নো
তেওঁলোকৰ চকু টোপনিয়ে জাপ খুৱাই নিছিল আৰু সেই সময়ত
তেওঁক কি উত্তৰ দিব লাগিছিল, সেই বিষয়ে তেওঁলোকে নাজানিলে।
৪১ পাছত তৃতীয় বাৰ আহি, তেওঁ তেওঁলোকক ক’লে, “তোমালোকে
এতিয়াও টোপনিয়াই আছা আৰু বিশ্ৰাম কৰিছা৷ হ’ব! সেই সময়

আহিল; চোৱা, মানুহৰ পুত্ৰক পাপী লোকৰ হাতত শোধাই দিয়া হৈছে।
৪২ উঠা, আমি এতিয়া যাব লাগে; চোৱা, মোক শোধাই দিয়া জন ওচৰ
পালেহি।” ৪৩ তেতিয়া যীচুৱে এই কথা কৈ থাকোতেই, বাৰ জনৰ
মাজৰ যিহূদা আৰু তেওঁৰে সৈতে, প্ৰধান পুৰোহিত, বিধানৰ অধ্যাপক
আৰু পৰিচাৰক সকলৰ লগত তৰোৱাল আৰু টাঙোন লৈ থকা মানুহৰ
এটা দল ওচৰ চাপি আহিল৷ ৪৪ তেওঁক শোধাই দিয়া জনে সেই লোক
সকলক এই সংকেত দিছিল যে, “মই যি জনক চুমা খাম, তেৱেঁই সেই
জন; তেওঁকেই আবদ্ধ কৰি সাৱধানে তেওঁক লৈ যাবা।” ৪৫ পাছত
তেওঁ যীচুৰ ওচৰলৈ গৈ কলে “ৰব্বি” আৰু তেওঁক চুমা খালে। ৪৬
তেতিয়া তেওঁলোকে যীচুৰ গাত হাত দি তেওঁক আৱদ্ধ কৰিলে। ৪৭
তাতে তেওঁৰ ওচৰত থিয় হৈ লোক সকলৰ মাজৰ এজনে তৰোৱাল
উলিয়াই মহা-পুৰোহিতৰ এজন দাসক ঘাপ মাৰি, তেওঁৰ কাণ এখন
কাটি পেলালে। ৪৮ তেতিয়া যীচুৱে মাত লগাই তেওঁলোকক ক’লে,
“তোমালোকে তৰোৱাল আৰু টাঙোন লৈ ডকাইতক ধৰাৰ নিচিনাকৈ
মোক ধৰিবলৈ ওলাই আহিছা নে? ৪৯ যেতিয়া মই তোমালোকৰ
সৈতে আছিলোঁ আৰু মন্দিৰত নিতৌ উপদেশ দিছিলোঁ, তেতিয়া
তোমালোকে মোক নধৰিলা; কিন্তু সেই সকলোবোৰ ধৰ্মশাস্ত্ৰৰ বচন
সিদ্ধ হোৱাৰ বাবেহে এইদৰে ঘটিল।” ৫০ পাছত যীচুৰ সৈতে থকা
সকলোৱে তেওঁক ত্যাগ কৰিলে আৰু পলাল৷ ৫১ তেতিয়া কোনো এজন
ডেকাই উদং গাত শণ সূতাৰ মিহি কাপোৰ এখন লৈ, যীচুৰ পাছে
পাছে গৈছিল; তেতিয়া তেওঁলোকে তাক আবদ্ধ কৰিলে; ৫২ কিন্তু
সি কাপোৰ খন এৰি উলঙ্গ হৈ পলাই গ’ল। ৫৩ পাছত তেওঁলোকে
যীচুক মহা-পুৰোহিতৰ ওচৰলৈ লৈ গ’ল। তেতিয়া সকলো প্ৰধান
পুৰোহিত, পৰিচাৰক আৰু বিধানৰ অধ্যাপক সকল তেওঁৰ লগত আহি
গোট খালে। ৫৪ আৰু তেতিয়াই পিতৰে আতৰে আতৰে যীচুৰ পাছে
পাছে মহা-পুৰোহিতৰ চোতালৰ ভিতৰলৈকে সোমাল৷ তাতে নিজকে
উম দিবলৈ পহৰা দি থকা টেকেলা সকলৰ মাজত বহি, জুই পুৱাই
আছিল। ৫৫ তেতিয়া প্ৰধান পুৰোহিত সকল আৰু গোটেই মহাসভাই
যীচুক বধ কৰিবলৈ তেওঁৰ বিৰুদ্ধে সাক্ষ্য বিচাৰিলে; কিন্তু তেওঁলোকে

একো নাপালে। ৫৬ কিয়নো অনেকে তেওঁৰ বিৰুদ্ধে মিছা সাক্ষ্য দিলে
তথাপি তেওঁলোকৰ সাক্ষ্য নিমিলিল। ৫৭ পাছত কেইজনমানে উঠি,
তেওঁৰ বিৰুদ্ধে মিছা সাক্ষ্য দি ক'লে, ৫৮ "হাতে সজা এই মন্দিৰ মই
নষ্ট কৰি, তিন দিনৰ ভিতৰত হাতে নকৰা আন এটা সাজিম৷" আমি
তেওঁক এনে কথা কোৱা শুনিলোঁ! ৫৯ কিন্তু ইয়াতো তেওঁলোকৰ
সাক্ষ্য নিমিলিল। ৬০ তেতিয়া মহা-পুৰোহিতে মাজত থিয় হৈ, যীচুক
সুধিলে, বোলে, "তোমাৰ একো উত্তৰ নাই নে? তোমাৰ অহিতে
এওঁলোকেনো কি সাক্ষ্য দিছে?" ৬১ কিন্তু তেওঁ একো উত্তৰ নিদিলে
আৰু নিজমে থাকিল। পুনৰ মহা-পুৰোহিতে তেওঁক সুধিলে, "তুমি
পৰমধন্য জনৰ পুত্ৰ খ্ৰীষ্ট হয় নে?" ৬২ তেতিয়া যীচুৱে ক'লে, "মই
হওঁ, আৰু তোমালোকে মানুহৰ পুত্ৰক পৰাক্ৰমৰসোঁ হাতে বহি থকা
আৰু আকাশত মেঘেৰে অহা দেখিবা।" ৬৩ তেতিয়া মহা-পুৰোহিতে
নিজৰ চোলা ফালি ক'লে, "সাক্ষীত আমাৰ কি প্ৰয়োজন আছে? ৬৪
তোমালোকে ঈশ্বৰক নিন্দা কৰা শুনিলা; এতিয়া তোমালোকে কি
সিদ্ধান্ত লৈছা?" তাতে সকলোৱে তেওঁক প্ৰাণদণ্ডৰ যোগ্য বুলি দোষী
কৰিলে। ৬৫ পাছত কোনো কোনোৱে তেওঁৰ গাত থুই পেলাবলৈ
ধৰিলে আৰু তেওঁৰ মুখ ঢাকি, তেওঁক ভুকুৱাই ক'লে, "ভাবোক্তি প্ৰচাৰ
কৰোঁতা!" আৰু সেনাপতি সকলে তেওঁক লৈ গৈ প্ৰহাৰ কৰিলে। ৬৬
তেতিয়া পিতৰ তলৰ চোতালত থাকোঁতে মহা-পুৰোহিতৰ বনকৰা
ছোৱালী এজনী তেওঁৰ ওচৰলৈ আহিল, ৬৭ আৰু পিতৰক জুই পুৱাই
থকা দেখা পাই তেওঁলৈ চাই ক'লে, "তুমিও সেই নাচৰতীয়া যীচুৰ
লগত আছিলা।" ৬৮ কিন্তু তেওঁ এই বিষয়টো অস্বীকাৰ কৰি ক'লে,
"তুমি যি কৈছা সেই বিষয়ে মই নাজানো আৰু বুজিও পোৱা নাই।"
তেতিয়া তেওঁ বাট-চ'ৰালৈ ওলাই গ'ল আৰু কুকুৰাই ডাক দিলে৷ ৬৯
কিন্তু সেই বেটীয়ে তেওঁক তাতে দেখি, ওচৰত থিয় দি থকা সকলক
পুনৰ ক'বলৈ ধৰিলে, "এই লোক জন সিহঁতৰ মাজৰ এজন!" ৭০
কিন্তু তেওঁ আকৌ অস্বীকাৰ কৰিলে। অলপ সময়ৰ পাছত সেই ঠাইত
থিয় হৈ থকা লোক সকলে পিতৰক ক'লে, "তুমি অৱশ্যে সিহঁতৰ
মাজৰ এজন কিয়নো তুমিও গালীলীয়া মানুহ।" ৭১ কিন্তু তেওঁ শাও

দিলে আৰু শপত খাই ক'লে, "তোমালোকে যি জন মানুহৰ কথা কৈ
আছা, সেই জন মানুহক মই চিনিয়ে নাপাও।" ৭২ তেতিয়া কুকুৰাই
দ্বিতীয় বাৰ ডাক দিলে। তেতিয়া যীচুৱে কোৱা কথা পিতৰৰ মনত
পৰিল "কুকুৰাই দুবাৰ ডাক দিয়াৰ আগেয়ে মোক তিনি বাৰ অস্বীকাৰ
কৰিবা৷" তাতে তেওঁ দুখত ভাগি পৰিল আৰু কান্দিব ধৰিলে৷

**১৫** পাছত ৰাতিপুৱা প্ৰধান পুৰোহিত, পৰিচাৰক আৰু বিধানৰ
অধ্যাপক সকলৰ সৈতে গোটেই মহাসভাই মন্ত্ৰণা কৰিলে৷ তেতিয়া
তেখেত সকলে যীচুক বান্ধিলে আৰু পীলাতৰ হাতত শোধাই দিলে।
২ তেতিয়া পীলাতে তেওঁক সুধিলে, "তুমি ইহুদী সকলৰ ৰজা হয়
নে?" তাতে তেওঁ উত্তৰ দি ক'লে, "তুমিয়েই কৈছা।" ৩ এনেতে
প্ৰধান পুৰোহিত সকলে তেওঁক বহুত অপবাদ দিলে। ৪ তেতিয়া
পীলাতে আকৌ তেওঁক সুধিলে, "তুমি একো উত্তৰ নিদিয়া নে? চোৱা,
এওঁলোকে তোমাৰ বিৰুদ্ধে কিমান অপবাদ দিছে!" ৫ কিন্তু যীচুৱে
কোনো দিঘলীয়া উত্তৰ নিদিলে আৰু তাতে তেওঁ বিস্ময় মানিলে। ৬
সেই পৰ্বৰ সময়ত মানুহবোৰে বিচাৰিলে যি কোনো এজন বন্দীক
পীলাতে মুকলি কৰি দিয়ে। ৭ সেই সময়ত বিদ্ৰোহী লোক সকলৰ
সৈতে কাৰাগাৰত, কিছুমান হত্যাকাৰীৰ লগত প্ৰতিষ্ঠিত ব্যৱস্থাৰ
বিৰুদ্ধে যোৱা ৰাজদ্ৰোহী এজন আছিল; তেওঁৰ নাম আছিল বাৰাব্বা।
৮ তেতিয়া লোক সকলে পীলাতৰ ওচৰলৈ আহিল আৰু আগতে কৰি
অহা নিয়ম অনুসৰি কৰিবলৈ তেওঁক অনুৰোধ কৰিলে৷ ৯ পীলাতে
তেওঁলোকক উত্তৰ দি ক'লে, "তোমালোকৰ বাবে মই ইহুদী সকলৰ
ৰজাক যেন মুকলি কৰোঁ, তোমালোকে এনে ইচ্ছা কৰা নে?" ১০
কিয়নো তেওঁ জানিছিল যে প্ৰধান পুৰোহিত সকলে ইৰ্ষা কৰি যীচুক
তেওঁৰ ওচৰত শোধাই দিছিল৷ ১১ কিন্তু প্ৰধান পুৰোহিত সকলে যীচুৰ
সলনি বাৰাব্বাক মুকলি কৰিবৰ বাবে দাবী কৰিবলৈ লোক সকলক
উচটালে৷ ১২ পাছত পীলাতে আকৌ উত্তৰ দি তেওঁলোকক সুধিলে,
"তেনেহলে তোমালোকে যি জনক ইহুদী সকলৰ ৰজা বুলি কোৱা
তেওঁক মই কি কৰিম?" ১৩ তেতিয়া তেওঁলোকে আকৌ আটাহ পাৰি
ক'লে, "তাক ক্ৰুচত দিয়ক।" ১৪ তেতিয়া পীলাতে তেওঁলোকক সুধিলে,

“কিন্তু তেওঁনো কি দোষ কৰিলে?” তাতে তেওঁলোকে অধিককৈ
আটাহ পাৰি ক’লে, “তাক ক্রুচত দিয়ক।” ১৫ তেতিয়া পীলাতে লোক
সকলক সন্তুষ্ট কৰিবলৈ তেওঁলোকলৈ বাৰাব্বাক মুকলি কৰি দিলে
আৰু যীচুক চাবুকেৰে কোবোৱাই, ক্রুচত দিবলৈ শোধাই দিলে। ১৬
তেতিয়া সেনাবোৰে চোতাললৈ অর্থাৎ প্রিটৰিয়মৰ ভিতৰলৈ তেওঁক
লৈ গ’ল, আৰু গোটেই সৈন্য দলক মাতি গোট খুৱালে। ১৭ পাছত
তেওঁলোকে যীচুক উজ্বল বৰণীয়া কাপোৰ পিন্ধালে, আৰু কাঁইটৰ
কিৰীটি সাজি মুৰত পিন্ধাই দিলে; ১৮ মানুহবোৰে তেওঁক নমস্কাৰ
জনাই ক’লে “হে ইহুদী সকলৰ ৰজা, জয় হওক!” ১৯ তেতিয়া নলেৰে
তেওঁৰ মুৰত কোবালে আৰু থুই পেলালে৷ তাৰ পাছত তেওঁৰ আগত
আঁঠুকাঢ়ি শ্রদ্ধা জনালে। ২০ এইদৰে তেওঁক ঠাট্টা-বিদ্রূপ কৰি উঠি,
সেই উজ্বল বৰণীয়া কাপোৰ সোলোকাই তেওঁক নিজৰ কাপোৰ
পিন্ধালে আৰু তেওঁক ক্রুচত দিবৰ বাবে বাহিৰলৈ লৈ গ’ল। ২১ সেই
সময়ত মানুহবোৰে কুৰীণীয়া দেশৰ পৰা অহা চিমোন নামৰ (এই
জন আলেকজেন্দাৰ আৰু ৰুফৰ বাপেক) লোক এজনক জবৰদস্তিৰে
যীচুৰ ক্রুচটো কঢ়িয়াই নিবলৈ ধৰি আনিলে৷ ২২ এইদৰে সৈন্য সকলে
গলগথা বুলি কোৱা ঠাই খন লৈ যীচুক লৈ আহিল; (এই নামৰ অর্থ
‘মুৰৰ লাওখোলা’)। ২৩ তাতে তেওঁলোকে যীচুক গন্ধৰসেৰে মিহলি
হোৱা দ্রাক্ষাৰস যাচিলে কিন্তু তেওঁ তাক গ্ৰহণ নকৰিলে। ২৪ পাছত
তেওঁক ক্রুচত দি উঠি, তেওঁৰ কাপোৰৰ কোনে কি পাব, সেয়ে নিশ্চয়
কৰিবলৈ, তেওঁলোকে চিঠি খেলি সেই কাপোৰ ভগাই ল’লে। ২৫
তেতিয়া ন মান বজাত তেওঁলোকে যীচুক ক্রুচত দিলে। ২৬ আৰু
“ইহুদী সকলৰ ৰজা৷” এই বুলি তেওঁৰ অপৰাধৰ জাননী ওপৰত লিখি
দিলে। ২৭ তেওঁৰ লগত আন দুজন ডকাইতৰ সোঁফালে এজনক আৰু
বাওঁফালে আন এজনক, এনেদৰে ক্রুচতদিলে। ২৯ পাছত অহা-যোৱা
কৰা বাটৰুৱা সকলে মুৰ জোকাৰি নিন্দা কৰি কবলৈ ধৰিলে, “হেৰৌ
মন্দিৰ নষ্ট কৰোঁতা আৰু তিন দিনৰ ভিতৰত সাজোঁতা, ৩০ নিজকে
ৰক্ষা কৰ আৰু ক্রুচৰ পৰা নাম৷” ৩১ সেইদৰে প্রধান পুৰোহিত সকলে
বিধানৰ অধ্যাপক সকলৰ সৈতে ঠাট্টা-বিদ্রূপ কৰি পৰস্পৰৰ মাজত

ক'লে, "সি আন লোকক ৰক্ষা কৰিছিল কিন্তু নিজকেই ৰক্ষা কৰিব
নোৱাৰে। ৩২ হে খ্ৰীষ্ট, ইস্ৰায়েলৰ ৰজা, এতিয়াই ক্ৰুচৰ পৰা নামি
আহা; তাতে আমি যেন দেখা পাওঁ আৰু বিশ্বাস কৰোঁ।" তেতিয়া যি
দুজনক তেওঁৰ লগত ক্ৰুচত দিয়া হ'ল, সেই দুজনেও তেওঁক নিন্দা
কৰিলে। ৩৩ পাছত বাৰ মান বজাৰ পৰা তিনি বজালৈকে গোটেই দেশ
আন্ধাৰ হ'ল। ৩৪ আৰু ঠিক তিনি বজাৰ সময়ত যীচুৱে বৰ মাতেৰে
ৰিঙিয়াই ক'লে, "এলোই, এলোই, লামা চবক্তানী?" অৰ্থাৎ "হে মোৰ
ঈশ্বৰ, হে মোৰ ঈশ্বৰ, কি কাৰণত মোক তুমি পৰিত্যাগ কৰিলা?" ৩৫
তেতিয়া ওচৰত থিয় দি থকা লোক সকলৰ মাজৰ কোনো কোনোৱে
ইয়াকে শুনি ক'লে, "চোৱা, ই এলিয়াক মাতিছে।" ৩৬ তাতে কোনো
এজনে বেগাই গৈ, স্পঞ্জ এটা চিৰকাৰে পুৰ কৰি, তাক নলৰ আগত
লগাই তেওঁক পান কৰিবলৈ দি ক'লে, "ৰবা, এলিয়াই ইয়াক নমাই
দিবলৈ আহে নে নাহে, তাকে আমি চাওঁ আহা।" ৩৭ তেতিয়া যীচুৱে
বৰকৈ আটাহ পাৰি, প্ৰাণ ত্যাগ কৰিলে। ৩৮ তাতে মন্দিৰৰ আঁৰ-
কাপোৰ খন ওপৰৰ পৰা তললৈকে ফালি দুভাগ হ'ল। ৩৯ তেওঁ
এইদৰে প্ৰাণ ত্যাগ কৰা দেখি, তেওঁৰ ওচৰতে থিয় দি থকা এশৰ
সেনাপতিয়ে ক'লে, "সঁচাকৈ এই মানুহ জন ঈশ্বৰৰ পুত্ৰ আছিল।" ৪০
সেই সময়ত বহু মহিলাই আতৰৰ পৰা চাই আছিল৷ তেওঁলোকৰ
ভিতৰত মগ্দলীনী মৰিয়ম, সৰু যাকোব আৰু যোচিৰ মাক মৰিয়ম আৰু
চালোমীও আছিল। ৪১ যীচু যেতিয়া গালীল প্ৰদেশত আছিল, তেতিয়া
এই মহিলা সকলে তেওঁৰ পাছে পাছে গৈ তেওঁক সেৱা শুশ্ৰূষা কৰিছিল৷
ইয়াৰ ওপৰিও বহু মহিলা তেওঁৰ লগত যিৰূচালেমলৈ আহিছিল৷ ৪২
এই দিনটো আছিল আয়োজনদিন; বিশ্ৰাম দিনৰ আগদিনা৷ সেয়েহে
তেতিয়া আবেলি ওচৰ চাপি অহাত, ৪৩ অৰিমাথিয়াৰ যোচেফ সেই
ঠাইলৈ আহিল৷ তেওঁ পৰিষদ মণ্ডলীৰ এজন সন্মানীয় সদস্য আছিল৷
তেওঁ ঈশ্বৰৰ ৰাজ্যলৈ অপেক্ষা কৰি আছিল৷ তেওঁ সাহসেৰে পীলাতৰ
ওচৰলৈ গ'ল আৰু যীচুৰ দেহ বিচাৰিলে। ৪৪ ইতিমধ্যে পীলাতে যীচুৰ
মৃত্যু হোৱা বুলি জানিবলৈ পোৱাত, পীলাত আচৰিত হ'ল; তেওঁ এশৰ
সেনাপতিক মাতি আনিলে আৰু যীচুৰ মৃত্যুৰ বিষয়ে সুধিলে৷ ৪৫

যেতিয়া তেওঁ এশৰ সেনাপতিৰ পৰা যীচুৰ মৃত্যু জানিলে, তেতিয়া
তেওঁ যোচেফক যীচুৰ দেহটো নিবলৈ অনুমতি প্ৰদান কৰিলে। ৪৬
যোচেফে শণ সুতাৰ কাপোৰ লগত লৈ আহিছিল৷ তেওঁ যীচুক ক্ৰুচৰ
পৰা নমালে আৰু লগত অনা শণ সুতাৰ কাপোৰেৰে মেৰিয়াই শিলত
খান্দি উলিওৱা মৈদাম এটাত শুৱাই থ'লে৷ তাৰ পাছত এচটা ডাঙৰ
শিল বগৰাই আনি মৈদামৰ প্ৰৱেশ দ্বাৰ বন্ধ কৰি দিলে। ৪৭ মগ্দলীনী
মৰিয়ম আৰু যোচিৰ মাক মৰিয়মে যীচুক মৈদাম দিয়া ঠাইটো দেখা
পালে৷

**১৬** তাৰ পাছত বিশ্ৰামবাৰ শেষ হোৱাত, মগ্দলীনী মৰিয়ম, যাকোবৰ
মাতৃ মৰিয়ম আৰু চালোমীয়ে আহি যীচুৰ গাত সানিবলৈ সুগন্ধি দ্ৰব্য
কিনিলে। ২ আৰু সপ্তাহৰ প্ৰথম দিনা অতি ৰাতিপুৱা, সূৰ্য্য উদয়
হওতেই, তেওঁলোকে মৈদামলৈ গ'ল৷ ৩ তেওঁলোকে নিজৰ মাজত
কোৱা-কুই কৰি ক'লে, “মৈদামৰ প্ৰৱেশ দ্বাৰত থকা শিলটো কোনে
আমাৰ বাবে বগৰাই দিব?” ৪ কিয়নো সেই শিলচতা অতি ডাঙৰ
আছিল; এনেতে চকু তুলি চাওতে তেওঁলোকে দেখিলে যে, শিলচটা
বগৰাই থোৱা আছে৷ ৫ তেওঁলোকে তেতিয়া মৈদামৰ ভিতৰলৈ
সোমাই গ'ল আৰু বগা কাপোৰ পিন্ধা ডেকা এজনক সোঁফালে বহি
থকা দেখিলে, তাতে তেওঁলোক অতি আচৰিত হ'ল। ৬ কিন্তু তেওঁ
তেওঁলোকক ক'লে, “তোমালোকে ভয় নকৰিবা; তোমালোকে ক্ৰুচত
হত হোৱা নাচৰতীয়া যীচুক বিচাৰিছা; তেওঁ উঠিল! তেওঁ ইয়াত
নাই; চোৱা, এয়ে তেওঁক শুৱাই থোৱা ঠাই। ৭ কিন্তু তোমালোকে
গৈ, তেওঁৰ আন শিষ্য সকলৰ লগতে পিতৰক কোৱাগৈ যে, 'তেওঁ
তোমালোকৰ আগেয়ে গালীল প্ৰদেশলৈ যাব আৰু তাতে তেওঁ যেনেকৈ
তোমালোকক কৈছিল, তেনেকৈ তোমালোকে তেওঁক দেখা পাবা'।” ৮
তেতিয়া তেওঁলোকে মৈদামৰ পৰা ওলাই পলাল; কিয়নো সেই সময়ত
তেওঁলোক সঁচাকৈ কম্পন আৰু বিস্ময়ত হৈ আছিল; তেওঁলোকে
কোনো ব্যক্তিক নক'লে, কিয়নো তেওঁলোকে অতি ভয় খাইছিল। ৯
**(note: The most reliable and earliest manuscripts do not include Mark
16:9-20.)** সপ্তাহৰ প্ৰথম দিনৰ ৰাতিপুৱা, যীচু পুনৰুত্থিত হোৱাৰ পাছত;

যি গৰাকীৰ পৰা তেওঁ সাতোটা ভূত খেদাইছিল, সেই মগ্দলীনী
মৰিয়মক তেওঁ প্ৰথমতে দেখা দিলে। ১০ তেতিয়া তেওঁ গৈ শোক আৰু
ক্ৰন্দন কৰি থকা যীচুৰ পূৰ্বৰ সঙ্গী সকলক বাৰ্তা দিলে; ১১ তেতিয়া
তেওঁলোকে যীচু যে জীয়াই উঠিল আৰু মগ্দলীনী মৰিয়মক যে দৰ্শন
দিলে, সেই কথা তেওঁলোকে শুনিলে কিন্তু বিশ্বাস নকৰিলে। ১২ এই
সকলো ঘটনা ঘটাৰ পাছত, যীচুৱে অন্য দুজন লোকক গাঁৱলৈ যাত্ৰা
কৰি থাকোতে তেওঁ অন্যৰূপ ধৰি, তেওঁলোকক দেখা দিলে। ১৩ তাতে
তেওঁলোকে গৈ অন্য শিষ্য সকলক সম্বাদ দিলে; কিন্তু তেওঁলোকে সেই
কথা বিশ্বাস নকৰিলে। ১৪ পাছত এঘাৰ জনে ভোজনত বহি থাকোঁতে,
যীচুৱে তেওঁলোকক দেখা দিলে আৰু তেওঁৰ উত্থানৰ পাছত, তেওঁক
দেখা পোৱা সকলক বিশ্বাস নকৰাৰ কাৰণে তেওঁলোকৰ অবিশ্বাস
আৰু কঠিন মনক গৰিহণা কৰিলে। ১৫ আৰু যীচুৱে তেওঁলোকক
ক'লে, "তোমালোকে জগতৰ সকলো ঠাইলৈ গৈ সমুদায় সৃষ্টিৰ আগত
শুভবাৰ্তা প্ৰচাৰ কৰা। ১৬ তাতে যি জনে বিশ্বাস কৰি বাপ্তাইজিত হয়,
তেওঁ পৰিত্ৰাণ পাব কিন্তু যি জনে অবিশ্বাস কৰে, তেওঁক দণ্ডাজ্ঞা কৰা
হ'ব৷ ১৭ এইবোৰ পৰাক্ৰম কাৰ্যৰ চিন, বিশ্বাস কৰা সকলৰ অনুগামী
হ'ব। তেওঁলোকে মোৰ নামেৰে ভূত খেদাব, নতুন নতুন ভাষাৰে কথা
ক'ব; সাপক হাতেৰে তুলি ল'ব; ১৮ আৰু প্ৰাণনাশক কোনো বস্তু
পান কৰিলেও তেওঁলোকৰ একো হানি নহব আৰু নৰিয়াৰ গাত হাত
দি, তেওঁলোকক সুস্থ কৰিব৷" ১৯ এইদৰে তেওঁলোকৰ সৈতে কথা
হোৱাৰ পাছত প্ৰভু যীচুক স্বৰ্গলৈ নিয়া হ'ল আৰু তেওঁ ঈশ্বৰৰ সোঁ
হাতে বহিল। ২০ পাছত তেওঁলোকে ওলাই গৈ সকলো ঠাইতে ঘোষণা
কৰিব ধৰিলে; আৰু প্ৰভুৱে লগে লগে কাৰ্য কৰি সেই অনুগামী সকলৰ
পৰাক্ৰম কাৰ্যৰ চিনৰ দ্বাৰাই বাক্য সপ্ৰমাণ কৰিলে। আমেন।

# লূক

১ আমাৰ মাজত যিবোৰ ঘটনা ঘটিল, সেইবোৰ ঘটনাৰ বিৱৰণ
লিপিবদ্ধ কৰিবলৈ অনেক ব্যক্তিয়ে চেষ্টা কৰিছে। ২ আদিৰে পৰা যি
সকলে নিজৰ চকুৰে দেখিছিল আৰু যি সকল দাসে বাক্য ঘোষণা
কৰিছিল, তেওঁলোকেই আমাক এইবোৰ জনালে। ৩ এই হেতুকে, হে
মহামহিম থিয়ফিল, এই সম্বন্ধে মই প্ৰথমৰে পৰা ভালদৰে অনুসন্ধান
কৰিলোঁ আৰু সেয়ে আপোনালৈ একাদিক্ৰমে লিখা উচিত হব যেন
দেখিলোঁ। ৪ মই ইচ্ছা কৰোঁ, আপুনিও যেন এই বিষয়বোৰৰ শিক্ষা
পায়, আৰু সেইবোৰৰ সত্যতা জানিব পাৰে। ৫ যিহুদীয়াৰ ৰজা
হেৰোদৰ দিনত পুৰোহিত অবিয়ৰ দলত জখৰিয়া নামেৰে এজন
পুৰোহিত আছিল; জখৰিয়াৰ ভাৰ্যা এলীচাবেৎ হাৰোণৰ বংশৰ আছিল।
৬ এওঁলোক দুয়ো ঈশ্বৰৰ দৃষ্টিত ধাৰ্মিক, পবিত্ৰ আছিল। প্ৰভুৰ সকলো
আজ্ঞা আৰু বিধানত উভয়ে নিখুঁত ৰূপে জীৱন-যাপন কৰিছিল। ৭ কিন্তু
এলীচাবেৎ বন্ধ্যা হোৱা কাৰণে, তেওঁলোকৰ কোনো সন্তান নাছিল।
তেওঁলোক দুয়ো বয়সতো অতি বৃদ্ধ আছিল। ৮ এদিন নিজৰ দলৰ
পাল ক্ৰমে পুৰোহিতৰ দায়িত্ব পোৱাত, জখৰিয়াই পুৰোহিত হিচাপে
ঈশ্বৰৰ সন্মুখত কাৰ্য কৰি আছিল; ৯ কিয়নো পুৰোহিত সকলৰ কাৰ্য-
প্ৰণালী অনুযায়ী প্ৰভুৰ মন্দিৰত সোমাই ধূপ জ্বলাবলৈ তেওঁৰ ওপৰত
পাল পৰিল। ১০ ধূপ জ্বলোৱাৰ সময়ত তাত গোট খোৱা সকলো
লোকে বাহিৰত প্ৰাৰ্থনা কৰি আছিল। ১১ এনে সময়তে প্ৰভুৰ এজন
দূত আহি জখৰিয়াৰ সন্মুখত উপস্থিত হৈ ধূপ বেদিৰ সোঁফালে থিয়
হ'ল। ১২ স্বৰ্গৰ দূতক দেখি জখৰিয়া চমকি উঠিল আৰু তেওঁৰ ভয়
লাগিল। ১৩ কিন্তু সেই দূতে তেওঁক ক'লে, "হে জখৰিয়া, ভয় নকৰিবা;
কিয়নো তোমাৰ প্ৰাৰ্থনা শুনা গল, আৰু তোমাৰ ভাৰ্যা এলীচাবেতে
এজন পুত্ৰ প্ৰসৱ কৰিব আৰু তুমি তেওঁৰ নাম যোহন থবা।" ১৪
তেওঁৰ কাৰণে তোমাৰ আনন্দ আৰু উল্লাস হব, আৰু তেওঁৰ জন্মত
অনেকে আনন্দ কৰিব। ১৫ কিয়নো প্ৰভুৰ দৃষ্টিত তেওঁ মহান হব; তেওঁ
দ্ৰাক্ষাৰস বা সুৰা পান নকৰিব; আৰু ওপজাৰে পৰা পবিত্ৰ আত্মাৰে
পূৰ্ণ হব। ১৬ ইস্ৰায়েলৰ সন্তান সকলৰ অনেকক তেওঁ তেওঁলোকৰ

প্ৰভু ঈশ্বৰলৈ ঘূৰাব। ১৭ তেওঁ এলিয়াৰ আত্মা আৰু শক্তিৰে সৈতে
প্ৰভুৰ আগে আগে যাব। তেওঁ পিতৃ সকলৰ মন তেওঁলোকৰ সন্তানলৈ
ঘূৰাব আৰু অবাধ্য সকলক ধাৰ্মিকতাৰ জ্ঞানলৈ ঘূৰাব। এইদৰে তেওঁ
প্ৰভুৰ কাৰণে যুগুতোৱা লোক সকলক প্ৰস্তুত কৰিব। ১৮ তেতিয়া
জখৰিয়াই সেই দূতক ক'লে, "ইয়াক মই কেনেকৈ জানিম? কিয়নো
মই বৃদ্ধ হৈছোঁ আৰু মোৰ ভাৰ্য্যাও অতি বৃদ্ধা হৈছে।" ১৯ তাতে দূতে
উত্তৰ দি ক'লে, "মই গাব্ৰিয়েল; ঈশ্বৰৰ সাক্ষাতে মই থিয় হৈ থাকোঁ;
তোমাৰ সৈতে কথা হবলৈ আৰু তোমাৰ আগত এই শুভবাৰ্তা ঘোষণা
কৰিবৰ বাবে মোক পঠোৱা হ'ল। ২০ চোৱা, এইবোৰ ঘটনা নঘটা
পৰ্যন্ত তুমি বোবা হৈ থাকিবা; কোনো কথা কব নোৱাৰিবা; কাৰণ
তুমি মোৰ কথা বিশ্বাস নকৰিলা। কিন্তু এই সকলো কথা নিৰূপিত
সময়ত পূৰ্ণ হব।" ২১ আনপিনে, মানুহবোৰে জখৰিয়াৰ বাবে অপেক্ষা
কৰি আছিল আৰু মন্দিৰৰ ভিতৰত তেওঁৰ পলম হোৱা দেখি চিন্তিত
হ'ল। ২২ পাছত তেওঁ যেতিয়া বাহিৰলৈ আহিল, লোক সকলৰ লগত
একো কথা কব নোৱাৰিলে; তেতিয়া লোক সকলে বুজিব পাৰিলে
যে মন্দিৰৰ ভিতৰত তেওঁ কোনো দৰ্শন পাইছে। কিন্তু তেওঁ লোক
সকলৰ সৈতে ইংগিতেৰেহে কথা পাতিলে, মুখেৰে কোনো কথা কব
নোৱাৰিলে। ২৩ ইয়াৰ পাছত তেওঁৰ সেৱা কাৰ্যৰ পাল সম্পূৰ্ণ হোৱাত,
তেওঁ নিজৰ ঘৰলৈ গ'ল। ২৪ কিছুদিনৰ পাছত তেওঁৰ ভাৰ্যা এলীচাবেৎ
গৰ্ভৱতী হ'ল; আৰু পাঁচ মাহলৈকে ঘৰৰ পৰা বাহিৰ নোলাল। তেওঁ
ক'লে ২৫ "এই কাৰ্য মোৰ বাবে প্ৰভুৱে কৰিলে। মানুহৰ মাজত
মোৰ লজ্জা দূৰ কৰিবলৈ তেওঁ মোৰ ফালে দয়াৰ দৃষ্টি কৰিলে।" ২৬
এলীচাবেৎ যেতিয়া ছয় মাহৰ গৰ্ভৱতী, তেতিয়া ঈশ্বৰে গাব্ৰিয়েল দূতক
গালীল প্ৰদেশৰ নাচৰত নগৰৰ মৰিয়ম নামেৰে এক কুমাৰীৰ ওচৰলৈ
পঠালে। ২৭ এই কুমাৰী ৰজা দায়ুদৰ বংশৰ যোচেফ নামেৰে এজন
ব্যক্তিলৈ বাগ্দান কৰা আছিল। ২৮ তাতে সেই দূতে তেওঁৰ ওচৰলৈ
আহি ক'লে, "হে মহা অনুগ্ৰহ পোৱা কন্যা, তোমাৰ মঙ্গল হওক! প্ৰভু
তোমাৰ লগত আছে।" ২৯ কিন্তু এই কথা শুনি মৰিয়মৰ উগুল-থুগুল
লাগিল আৰু আচৰিত হৈ ভাবিলে "ই কেনে মঙ্গলবাদ!" ৩০ স্বৰ্গৰ দূতে

তেওঁক ক'লে, "হে মৰিয়ম, ভয় নকৰিবা; কিয়নো তুমি ঈশ্বৰৰ দ্বাৰা
অনুগ্ৰহ পালা। ৩১ চোৱা, তুমি গৰ্ভৱতী হৈ এটি পুত্ৰ প্ৰসৱ কৰিবা আৰু
তেওঁৰ নাম যীচু থবা। ৩২ তেওঁ মহান হব, আৰু সৰ্বোপৰি জনৰ পুত্ৰ
বুলি প্ৰখ্যাত হব। প্ৰভু পৰমেশ্বৰে তেওঁৰ পূৰ্বপুৰুষ দায়ুদৰ সিংহাসন
তেওঁক দিব; ৩৩ যাকোবৰ বংশৰ ওপৰত তেওঁ চিৰকাল ৰাজত্ব কৰিব,
আৰু তেওঁৰ ৰাজ্যৰ কেতিয়াও অন্ত নহব।" **(aiōn g165)** ৩৪ তেতিয়া
মৰিয়মে স্বৰ্গৰ দূতক ক'লে, "ই কেনেকৈ সম্ভৱ হব পাৰে? কাৰণ
মই এজনী কুমাৰী।" ৩৫ তেতিয়া স্বৰ্গৰ দূতে উত্তৰ দি তেওঁক ক'লে,
"পবিত্ৰ আত্মা তোমাৰ ওপৰলৈ আহিব, আৰু সৰ্বোপৰি ঈশ্বৰৰ শক্তিয়ে
তোমাক ছাঁ দি ধৰিব। এই হেতুকে সেই পবিত্ৰ গৰ্ভফলৰ নাম ঈশ্বৰৰ
পুত্ৰ বুলি প্ৰখ্যাত হব, ৩৬ আৰু চোৱা, তোমাৰ আত্মীয় এলীচাবেতে
বৃদ্ধাকালতো গৰ্ভত পুত্ৰ সন্তান ধাৰণ কৰিছে; যদিও তেওঁক লোকে
বাঁজী বুলিছিল, কিন্তু তেওঁ এতিয়া ছয় মাহৰ গৰ্ভৱতী। ৩৭ কিয়নো
ঈশ্বৰৰ বাবে কোনো বিষয় অসাধ্য নহয়।" ৩৮ মৰিয়মে ক'লে, "প্ৰভুৰ
দাসী যি মই, মোলৈ আপুনি কোৱাৰ দৰে হওক।" ইয়াৰ পাছতে
স্বৰ্গৰ দূত মৰিয়মৰ ওচৰৰ পৰা গুচি গ'ল। ৩৯ তেতিয়া মৰিয়মে উঠি
বেগাবেগিকৈ যিহুদীয়াৰ পাৰ্বত্য অঞ্চলৰ এখন নগৰলৈ গ'ল ৪০ তাত
জখৰিয়াৰ ঘৰত সোমাই মৰিয়মে এলীচাবেতক অভিবাদন জনালে।
৪১ তাতে মৰিয়মৰ সেই মঙ্গলবাদ শুনা মাত্ৰেই, এলীচাবেতৰ গৰ্ভৰ
শিশুটি নাচি উঠিল; আৰু এলীচাবেত পবিত্ৰ আত্মাৰে পূৰ্ণ হ'ল। ৪২
তাৰ পাছত এলীচাবেতে বৰ ডাঙৰ মাতেৰে কবলৈ ধৰিলে, "তিৰোতা
সকলৰ মাজত তুমি ধন্যা; আৰু তোমাৰ গৰ্ভফলো ধন্য। ৪৩ মোৰ
প্ৰভুৰ মাতৃ যে মোৰ ওচৰলৈ আহিছে, মোৰ এনে সৌভাগ্য কেনেকৈ
হ'ল? ৪৪ কিয়নো তোমাৰ মঙ্গলবাদৰ স্বৰ মোৰ কাণত পৰাৰ লগে
লগে, মোৰ গৰ্ভৰ শিশুটি উল্লাসত নাচি উঠিল। ৪৫ তুমি ধন্যা; কিয়নো
প্ৰভুৱে তোমাক যি যি কথা কৈছিল, সেই সকলো সিদ্ধ হব বুলি তুমি
বিশ্বাস কৰিলা।" ৪৬ তেতিয়া মৰিয়মে ক'লে, "মোৰ প্ৰাণে প্ৰভুৰ
মহিমা বৰ্ণাইছে, ৪৭ মোৰ আত্মাই মোৰ ত্ৰাণকৰ্তা ঈশ্বৰত উল্লাস
কৰে। ৪৮ কিয়নো তেওঁ তেওঁৰ দাসীৰ নীহ অৱস্থালৈ চালে; আৰু

এতিয়াৰ পৰা পুৰুষানুক্ৰমে সকলোৱে মোক ধন্যা বুলিব। ৪৯ কিয়নো
পৰাক্ৰমী জনে মোৰ কাৰণে মহৎ কৰ্ম কৰিলে; আৰু তেওঁৰ নাম
পবিত্ৰ। ৫০ যি সকলে তেওঁলৈ ভয় কৰে, পুৰুষে পুৰুষে তেওঁলোকৰ
ওপৰত তেওঁৰ দয়া থাকে। ৫১ তেওঁ নিজ বাহুৰ দ্বাৰাই পৰাক্ৰমী
কৰ্ম কৰিলে। নিজ নিজ অন্তৰত অহংকাৰ কৰা সকলক তেওঁ ছিন্ন-
ভিন্ন কৰিলে। ৫২ তেওঁ শাসক সকলক সিংহাসনৰ পৰা নমাই দিলে,
কিন্তু নীহ লোকক তুলি ধৰিলে। ৫৩ তেওঁ ক্ষুধাতুৰ লোকক উত্তম বস্তু
দিলে আৰু ধনৱন্তক শুদা-হাতে পঠাই দিলে। ৫৪ তেওঁ নিজৰ দাস
ইস্ৰায়েলক সাহায্য কৰিলে, তেওঁ দয়ালু; ৫৫ অব্ৰাহাম আৰু তেওঁৰ
বংশলৈ চিৰকাল দয়া কৰিবৰ কাৰণে, যেনেকৈ তেওঁ আমাৰ পূৰ্বপুৰুষ
সকলৰ ওচৰত প্ৰতিজ্ঞা কৰিছিল, সেই বিষয় তেওঁ সোঁৱৰণ কৰিলে।”
**(aiōn g165)** ৫৬ পাছত এলীচাবেতৰ লগত মৰিয়ম তিনি মাহ মান থাকি
নিজৰ ঘৰলৈ উলটি আহিল। ৫৭ পাছত এলীচাবেতৰ প্ৰসৱৰ কাল পূৰ্ণ
হোৱাত, তেওঁ এটি পুত্ৰ প্ৰসৱ কৰিলে। ৫৮ তাতে ওচৰ চুবুৰীয়া আৰু
আত্মীয় স্বজনে যেতিয়া শুনিলে যে প্ৰভুৱে তেওঁৰ প্ৰতি দয়া কৰিলে,
তেতিয়া সকলোৱে তেওঁৰে সৈতে আনন্দ কৰিলে। ৫৯ তাৰ পাছত
আঠ দিনৰ দিনা তেওঁলোকে শিশুটিক লৈ চুন্নৎ কৰিবলৈ আহিল আৰু
সকলোৱে বাপেকৰ নাম অনুসাৰে শিশুৰ নাম জখৰিয়া থব খুজিছিল;
৬০ কিন্তু মাকে উত্তৰ দি ক’লে, “নহয় ইয়াৰ নাম যোহন হব।” ৬১
তেতিয়া তেওঁলোকে এলীচাবেতক ক’লে, “তোমাৰ বংশৰ মাজত
এই নাম কাৰো নাই।” ৬২ পাছত তেওঁলোকে সংকেত দি ল’ৰাৰ
বাপেকৰ পৰা জানিব বিচাৰিলে যে, তেওঁ কি নাম দিব ইচ্ছা কৰে। ৬৩
তেতিয়া তেওঁ ফলি খুজি তাত লিখিলে, “ইয়াৰ নাম ‘যোহন’।” তাতে
সকলোৱে বিস্ময় মানিলে। ৬৪ তেতিয়াই জখৰিয়াৰ মুখ আৰু জিভাৰ
বান্ধ মুকলি হৈ গ’ল আৰু তেওঁ ঈশ্বৰৰ প্ৰশংসা কৰিবলৈ ধৰিলে। ৬৫
তেতিয়া আশে-পাশে থকা লোক সকল আচৰিত হ’ল আৰু যিহুদীয়াৰ
গোটেই পাৰ্বত্য অঞ্চলৰ লোক সকলে যি ঘটিল সেই বিষয়ে কোৱা-কুই
কৰিবলৈ ধৰিলে। ৬৬ যি সকলে এই কথা শুনিলে, তেওঁলোকে মনে
মনে বিষয়টো ভাৰি কবলৈ ধৰিলে, “ভৱিষ্যতে এই ল’ৰা তেনেহলে কি

হব?” কিয়নো তেওঁলোকে বুজিছিল যে প্ৰভুৰ হাত তেওঁৰ লগত আছে।
৬৭ পাছত ল’ৰা জনৰ পিতৃ জখৰিয়াই পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হৈ, এই
ভাবোক্তি প্ৰচাৰ কৰিলে। ৬৮ ‘ইস্ৰায়েলৰ প্ৰভু ঈশ্বৰৰ প্ৰশংসা হওক;
কিয়নো তেওঁ নিজৰ মানুহবোৰক সহায় কৰিবলৈ আৰু তেওঁলোকক
মুক্ত কৰিবলৈ আহিছে। ৬৯ তেওঁ আমাৰ কাৰণে তেওঁৰ দাস দায়ুদৰ
বংশত এজন শক্তিশালী ত্ৰাণকৰ্তাক দিলে। ৭০ এই বিষয়ে ঈশ্বৰে
পবিত্ৰ ভাববাদী সকলৰ দ্বাৰা পূৰ্বতে কৈছিল। **(aiōn g165)** ৭১ তেওঁ শত্ৰু
সকলৰ হাতৰ পৰা আৰু যি সকলে আমাক ঘৃণা কৰে, সেই সকলোৰে
হাতৰ পৰা আমাক ৰক্ষা কৰাৰ প্ৰতিশ্ৰুতি দিলে। ৭২ তেওঁ আমাৰ
পূৰ্বপুৰুষ সকলৰ প্ৰতি দয়া দেখুৱাব আৰু তেওঁৰ পবিত্ৰ বিধান সোঁৱৰণ
কৰাব; ৭৩ এই বিধান হৈছে প্ৰতিজ্ঞা, যি আমাৰ পূৰ্বপুৰুষ অব্ৰাহামক
তেওঁ দিছিল। ৭৪ শত্ৰুবোৰৰ হাতৰ পৰা আমাক মুক্ত কৰিম বুলি তেওঁ
প্ৰতিশ্ৰুতি দিলে, যাতে আমি নিৰ্ভয়ে তেওঁৰ আগত সেৱা কৰিব পাৰোঁ,
৭৫ আৰু আমাৰ জীৱনৰ আয়ুসৰ কালত পবিত্ৰ আৰু ধাৰ্মিকতাৰে
সেৱা কৰি থাকিব পাৰোঁ। ৭৬ হে মোৰ সন্তান, তোমাক সৰ্বোপৰি
জনৰ ভাববাদী বুলি কোৱা হব; কিয়নো তুমি প্ৰভুৰ আগমণৰ কাৰণে
লোক সকলক যুগুত কৰিবলৈ তেওঁৰ আগে আগে যাবা। ৭৭ লোক
সকলক পাপৰ ক্ষমা লাভৰ দ্বাৰা পৰিত্ৰাণ পোৱাত সহায় পাবলৈ শিক্ষা
দিবা। ৭৮ ঈশ্বৰে আমাক ক্ষমা কৰিব, কাৰণ তেওঁ কোমল চিত্তৰ
আৰু দয়ালু। তেওঁ কৰুণাৰে পুৱাৰ অৰুণৰ দৰে ত্ৰাণকৰ্তাই স্বৰ্গৰ পৰা
আমাক সহায় কৰিবলৈ আহিব। ৭৯ তেওঁ অন্ধকাৰ আৰু মৃত্যুছায়াত
বহি থকা লোক সকলক পোহৰ দিব। তেওঁ আমাৰ ভৰি শান্তিৰ পথত
গমন কৰাব’। ৮০ এনেদৰে যোহন বাপ্তাইজক বাঢ়িবলৈ ধৰিলে আৰু
আত্মাত শক্তিশালী হৈ উঠিল; ইস্ৰায়েল জাতিৰ আগত মুকলিকৈ প্ৰকাশ
হোৱাৰ আগলৈকে তেওঁ মৰুপ্ৰান্তত বাস কৰিছিল।

**২** সেই সময়ত চীজাৰ আগষ্টচে নিৰ্দেশ জাৰি কৰিলে যে, ৰোম
সাম্ৰাজ্যত বাস কৰা সকলো লোকৰ নাম লিখাই গণনা কৰা হওক। ২
চিৰিয়াৰ ৰাজ্যপাল কুৰীণীয়ৰ সময়ত এয়ে প্ৰথম লোক পিয়ল হৈছিল।
৩ সেয়ে, নাম লিখাবৰ বাবে প্ৰত্যেকে নিজৰ নিজৰ নগৰলৈ গ’ল।

৪ ৰজা দায়ুদৰ বংশধৰ হোৱা হেতুকে যোচেফেও গালীল প্ৰদেশৰ
নাচৰত নগৰৰ পৰা দায়ুদৰ নগৰ নামেৰে খ্যাত যিহূদাৰ বৈৎলেহম
নগৰলৈ গ'ল। ৫ যোচেফে তেওঁলৈ বাগ্দান কৰা মৰিয়মকো লগত লৈ
নাম লিখাবৰ বাবে গ'ল। সেই সময়ত মৰিয়ম গৰ্ভৱতী আছিল। ৬
পাছত তেওঁলোক তাতে থাকোতে, মৰিয়মৰ প্ৰসৱৰ কাল পূৰ্ণ হ'ল। ৭
তেওঁ নিজৰ প্ৰথম পুত্ৰ সন্তান প্ৰসৱ কৰিলে আৰু তেওঁক কাপোৰেৰে
মেৰিয়াই দানা পাত্ৰত শুৱাই থলে; কাৰণ অতিথিশালাত তেওঁলোকৰ
কাৰণে থকা ঠাই নাছিল। ৮ সেই অঞ্চলত কিছুমান মেষৰখীয়াই ৰাতি
পথাৰত নিজৰ নিজৰ জাকবোৰ পহৰা দি আছিল। ৯ হঠাতে প্ৰভুৰ
দূত এজন আহি তেওঁলোকৰ ওচৰত উপস্থিত হ'ল আৰু তেতিয়াই
প্ৰভুৰ মহিমা তেওঁলোকৰ চাৰিওফালে উজ্জ্বল হৈ প্ৰকাশিত হ'ল; তাতে
তেওঁলোকৰ অতিশয় ভয় লাগিল। ১০ তেতিয়া দূতে তেওঁলোকক
কলে, “ভয় নকৰিবা; কিয়নো চোৱা, যি শুভবাৰ্তা সকলো লোকৰ
কাৰণে হব, সেই মহা আনন্দৰ শুভবাৰ্তা মই তোমালোকৰ আগত
ঘোষণা কৰোঁ যে, ১১ আজি দায়ুদৰ নগৰত তোমালোকৰ কাৰণে
ত্ৰাণকৰ্তা জন্মিল; তেওঁ অভিষিক্ত প্ৰভু খ্ৰীষ্ট। ১২ তোমালোকলৈ এয়ে
চিন হব যে, ল'ৰা জনক কাপোৰেৰে মেৰিয়াই দানা পাত্ৰত শুৱাই
থোৱা দেখা পাবা।” ১৩ তেতিয়া অকস্মাতে স্বৰ্গবাহিনীৰ এক বৃহৎ
দলে সেই দূতৰ লগ ল'লে আৰু ঈশ্বৰৰ প্ৰশংসা কৰি কবলৈ ধৰিলে,
১৪ “উৰ্দ্ধলোকত ঈশ্বৰৰ মহিমা, আৰু পৃথিৱীত তেওঁৰ প্ৰীতিৰ পাত্ৰ
মানুহবোৰৰ মাজত শান্তি।” ১৫ পাছত স্বৰ্গৰ দূত সকল তেওঁলোকৰ
ওচৰৰ পৰা স্বৰ্গলৈ উলটি যোৱাত মেষৰখীয়াবোৰে পৰস্পৰে কোৱা-
কুই কৰিলে, “ব'লা, এতিয়া আমি বৈৎলেহমলৈ যাওঁহক; যি ঘটনাৰ
কথা প্ৰভুৱে আমাৰ আগত ঘোষণা কৰিলে, তাকে চাবলৈ যাওঁ ব'লা।”
১৬ তাৰ পাছত তেওঁলোকে বেগাই বিচাৰি গ'ল, তাতে বিচাৰি যোৱাত
মৰিয়ম, যোচেফ, আৰু দানা পাত্ৰত শুৱাই থোৱা ল'ৰা জনক দেখা
পালে। ১৭ এইদৰে দেখাৰ পাছত শিশুটিৰ বিষয়ে তেওঁলোকক যি
যি কথা দূতে কৈছিল, সেই সকলো কথা তেওঁলোকে লোক সকলক
জনালে। ১৮ তাতে মেষৰখীয়া সকলৰ কথা শুনি সকলোৱে বিস্ময়

মানিলে। ১৯ কিন্তু মৰিয়মে হলে সেইবোৰ কথা মনতে সাঁচি থলে আৰু
সেই বিষয়ে চিন্তা কৰিবলৈ ধৰিলে। ২০ ইয়াৰ পাছত মেষৰখীয়াবোৰে
তেওঁলোকক যি দৰে কোৱা হৈছিল, সেই অনুসাৰে সকলো দেখি আৰু
শুনি তেওঁলোকে ঈশ্বৰৰ প্ৰশংসা স্তুতি কৰি ঘৰলৈ উলটি গ'ল। ২১
পাছে আঠ দিনৰ পাছত, যেতিয়া তেওঁৰ চুন্নৎ কৰিবৰ সময় হ'ল,
তেতিয়া তেওঁলোকে শিশুটিৰ নাম যীচু ৰাখিলে; তেওঁ মাতৃগৰ্ভত স্থিতি
হোৱাৰ আগেয়ে স্বৰ্গৰ দূতে এই নাম দিছিল। ২২ মোচিৰ বিধান
অনুসাৰে শুচিকৰণৰ দিন উপস্থিত হোৱাত যোচেফ আৰু মৰিয়মে শিশু
যীচুক প্ৰভুৰ ওচৰত উপস্থিত কৰিবৰ কাৰণে তেওঁলোক যিৰূচালেমত
থকা মন্দিৰলৈ আনিলে। ২৩ কাৰণ প্ৰভুৰ বিধান-শাস্ত্ৰত লিখা আছে
যে "প্ৰথমে জন্মা প্ৰতিজন পুত্ৰ সন্তানক প্ৰভুৰ উদ্দেশ্যে 'পবিত্ৰ'
বুলি কোৱা হব।" ২৪ আৰু "এযোৰ কপৌ বা দুটা পাৰ পোৱালি"
বলিদান কৰাৰ কথা যি দৰে প্ৰভুৰ বিধান-শাস্ত্ৰত লিখা আছে, তাক
উৎসৰ্গ কৰিবলৈকো তেওঁলোক যিৰূচালেমলৈ আহিল। ২৫ তেতিয়া
যিৰূচালেমত চিমিয়োন নামেৰে এজন ধাৰ্মিক আৰু ঈশ্বৰভক্ত লোক
আছিল আৰু তেওঁ ইস্ৰায়েলৰ সান্ত্বনাৰ কাৰণে অপেক্ষা কৰি আছিল।
পবিত্ৰ আত্মা তেওঁৰ সৈতে আছিল। ২৬ প্ৰভুৰ অভিষিক্ত জনক দেখা
নাপায় মানে, তেওঁ মৃত্যুভোগ নকৰিব, এই কথা পবিত্ৰ আত্মাৰ দ্বাৰাই
তেওঁলৈ প্ৰকাশ কৰা হৈছিল। ২৭ সেইদিনা পবিত্ৰ আত্মাৰ দ্বাৰা চালিত
হৈ চিমিয়োন মন্দিৰলৈ আহিছিল। বিধানৰ বিধান পালন কৰিবলৈ
মাক-বাপেকে শিশু যীচুক ভিতৰলৈ আনিলে। ২৮ তেতিয়া চিমিয়োনে
যীচুক কোলাত লৈ ঈশ্বৰৰ প্ৰশংসা কৰি ক'লে, ২৯ "হে প্ৰভু, এতিয়া
আপুনি নিজৰ প্ৰতিশ্ৰুতি অনুসাৰে আপোনাৰ দাসক শান্তিৰে বিদায়
দিয়ক। ৩০ কিয়নো মোৰ চকুৰে আপোনাৰ পৰিত্ৰাণ দেখা পালে,
৩১ যি পৰিত্ৰাণ আপুনি সকলো লোকৰ সাক্ষাতে প্ৰস্তুত কৰিলে। ৩২
তেওঁ অনা-ইহুদী সকলৰ আগত সত্য প্ৰকাশ কৰাৰ এক পোহৰ হব
আৰু তেৰেঁই আপোনাৰ প্ৰজা ইস্ৰায়েল লোকৰ গৌৰৱ হব।" ৩৩
শিশুটিৰ বিষয়ে চিমিয়োনে যি সকলো কথা ক'লে, সেই বিষয় শুনি
মাক-বাপেক বিস্মিত হৈ গ'ল। ৩৪ তাৰ পাছত চিমিয়োনে তেওঁলোকক

আশীৰ্বাদ কৰি যীচুৰ মাক মৰিয়মক ক'লে, “মনোযোগেৰে শুনা! এই
শিশুটিয়েই ইস্রায়েলৰ মাজত অনেকৰ পতন আৰু উত্থানৰ কাৰণ হব
আৰু তেওঁ এনে এক চিন হ'ব যাৰ বিৰুদ্ধে অনেকেই কথা কব; ৩৫
তাতে বহু লোকৰ মনৰ ভাৱনা প্ৰকাশ হৈ পৰিব আৰু তোমাৰ নিজৰ
হৃদয় শূলে বিন্ধিব।” ৩৬ সেই ঠাইতে হান্না নামৰ এগৰাকী ভাববাদিনী
আছিল। তেওঁ আচেৰ ফৈদৰ পনুৱেলৰ জীয়েক। তেওঁৰ অনেক বয়স
হৈছিল। বিবাহৰ পাছত তেওঁ স্বামীৰ সৈতে সাত বছৰ থাকিল ৩৭
আৰু পাছত চৌৰাশী বছৰ বয়সলৈকে তেওঁ বিধৱাৰ জীৱন কটালে।
তেওঁ মন্দিৰ এৰি কলৈকো যোৱা নাছিল; দিনে ৰাতিয়ে উপবাস আৰু
প্ৰাৰ্থনাৰে ঈশ্বৰৰ আৰাধনা কৰিছিল। ৩৮ ঠিক সেই সময়তে, তেওঁ
তেওঁলোকৰ ফালে আগবাঢ়ি আহি ঈশ্বৰক ধন্যবাদ দিবলৈ আৰম্ভ
কৰিলে আৰু যিৰূচালেমৰ মুক্তিৰ অপেক্ষাত থকা সকলোকে সেই
শিশুটিৰ বিষয়ে ক'বলৈ ধৰিলে। ৩৯ প্ৰভুৰ বিধানৰ মতে কৰিবলগীয়া
সকলো নিয়ম সম্পূৰ্ণ কৰি যোচেফ আৰু মৰিয়ম নিজৰ নগৰ গালীল
প্ৰদেশৰ নাচৰতলৈ উলটি আহিল। ৪০ পাছে শিশুটি ক্ৰমে ক্ৰমে বৃদ্ধি
পাই শক্তিমান হব ধৰিলে আৰু জ্ঞানেৰেও পূৰ্ণ হব ধৰিলে; ঈশ্বৰৰ
অনুগ্ৰহ তেওঁৰ ওপৰত আছিল। ৪১ নিস্তাৰ-পৰ্ব পালন কৰিবলৈ
প্ৰত্যেক বছৰে যীচুৰ মাক আৰু বাপেক যিৰূচালেমলৈ যায়। ৪২ যীচুৰ
বয়স যেতিয়া বাৰ বছৰ, তেতিয়া তেওঁলোকে যথা ৰীতি মতে সেই
পৰ্বলৈ গৈছিল। ৪৩ পৰ্বৰ সকলো ৰীতি শেষ কৰি তেওঁলোক যেতিয়া
ঘৰলৈ উলটি আহিছিল, তেতিয়া ল'ৰা যীচু যিৰূচালেমতে ৰৈ গ'ল; কিন্তু
তেওঁৰ মাক-বাপেকে এই কথা জনা নাছিল। ৪৪ তেওঁলোকৰ সৈতে
যাত্ৰা কৰা দলৰ লগতে যীচু আছে বুলি ভাবি, তেওঁলোক এদিনৰ
বাট গ'ল। পাছত তেওঁলোকে আত্মীয়-স্বজন আৰু বন্ধু-বান্ধৱৰ মাজত
তেওঁক বিচাৰিবলৈ ধৰিলে। ৪৫ কিন্তু মানুহৰ মাজত বিচাৰি নাপায়
যিৰূচালেমলৈ পুণৰ ঘূৰি আহি তেওঁলোকে যীচুক তাত বিচাৰি ফুৰিব
ধৰিলে। ৪৬ তিনি দিনৰ পাছত তেওঁলোকে যীচুক মন্দিৰত পালে।
তেওঁ অধ্যাপক সকলৰ মাজত বহি তেওঁলোকৰ কথা শুনি আছিল
আৰু নানা প্ৰশ্ন সুধি আছিল। ৪৭ আৰু যি সকলে তেওঁৰ কথা শুনিলে,

তেওঁলোক সকলোৱে তেওঁৰ বুদ্ধি আৰু উত্তৰত বিস্ময় মানিলে। ৪৮
মাক-বাপেকেও তেওঁক দেখি আচৰিত হ'ল৷ মাকে তেওঁক ক'লে,
"বোপা, তুমি আমালৈ কিয় এইদৰে কৰিলা? তোমাৰ দেউতাৰা আৰু
মই তোমাক বিচাৰি হাবাথুৰি খাই ফুৰিছোঁ।" ৪৯ তেতিয়া তেওঁলোকক
তেওঁ ক'লে, "তোমালোকে কি কাৰণে মোক বিচাৰি ফুৰিছা? মই মোৰ
পিতৃৰ ঘৰত থকা যে উচিত, ইয়াক জানো তোমালোকে নাজানা?" ৫০
কিন্তু তেওঁ কি কথা কব বিচাৰিছিল, সেই কথাৰ অৰ্থ তেওঁলোকে বুজি
নাপালে। ৫১ তাৰ পাছত তেওঁলোকৰ লগত তেওঁ নাচৰতলৈ উভটি
গ'ল আৰু তেওঁলোকৰ বাধ্য হৈ থাকিল। তেওঁৰ মাকে এই সকলো
কথা মনত ৰাখিলে। ৫২ কিন্তু এইদৰে যীচু জ্ঞান আৰু বয়সত বৃদ্ধি
পাব ধৰিলে; আৰু ঈশ্বৰৰ অনুগ্ৰহ সৈতে, মানুহৰ প্ৰেমত অধিককৈ
বাঢ়ি যাব ধৰিলে।

৩ তিবিৰিয়া চীজাৰৰ ৰাজত্বৰ পোন্ধৰ বছৰত যিহূদীয়াৰ ৰাজ্যপাল
আছিল পন্তীয় পীলাত। সেই সময়ত হেৰোদ আছিল গালীল প্ৰদেশৰ
ৰজা; আৰু তেওঁৰ ভায়েক ফিলিপ আছিল যিতূৰিয়া আৰু ত্ৰাখোনীতিয়া
প্ৰদেশৰ ৰজা; লুচাণিয় আছিল অবিলীনী প্ৰদেশৰ ৰজা। ২ হানন আৰু
কায়াফা আছিল ইহুদী সকলৰ মহা-পুৰোহিত। সেই সময়তে অৰণ্যত
জখৰিয়াৰ পুতেক যোহনলৈ ঈশ্বৰৰ বাক্য আহিল। ৩ তেতিয়া যোহনে
যৰ্দ্দন নদীৰ চৌদিশৰ সকলো প্ৰান্তলৈ গৈ প্ৰচাৰ কৰিবলৈ ধৰিলে,
যাতে লোক সকলে পাপৰ পৰা ক্ষমা লাভ পাবৰ কাৰণে মন-পালটন
কৰে আৰু বাপ্তিস্ম লয়। ৪ ভাৱবাদী যিচয়াৰ পুস্তকত যেনেকৈ লিখা
আছে: "মৰুপ্ৰান্তত এজনৰ কন্ঠস্বৰ শুনা গৈছে, তোমালোকে প্ৰভুৰ পথ
যুগুত কৰা, তেওঁৰ বাট পোন কৰা। ৫ আটাই উপত্যকা পূৰ কৰা হব,
প্ৰতিটো পৰ্বত আৰু পাহাৰ সমান কৰা হব, একা-বেকা পথবোৰ পোন
হব, খলা-বমা পথবোৰ সমান কৰা হব। ৬ সকলো মৰ্ত্ত্যই ঈশ্বৰৰ
পৰিত্ৰাণ দেখিব।" ৭ তাতে বাপ্তিস্ম লবৰ কাৰণে অনেক লোক যোহনৰ
ওচৰলৈ আহিব ধৰিলে। তেওঁ তেওঁলোকক ক'লে, "হে দুষ্ট সৰ্পৰ
বংশধৰ! ঈশ্বৰৰ যি ক্ৰোধ আহি আছে তাৰ পৰা পলাবৰ বাবে কোনে
আপোনালোকক সতৰ্ক কৰি দিলে? ৮ আপোনালোকে যে মন-পালটন

কৰিছে, তাৰ উপযুক্ত ফলেৰে ফলবান হওক। নিজৰ মনতে নাভাৰিব
যে ‘অব্ৰাহাম আমাৰ পিতৃপুৰুষ’। কিয়নো মই আপোনালোকক কওঁ
যে, এই শিলবোৰৰ পৰাও ঈশ্বৰে অব্ৰাহামৰ কাৰণে সন্তান উৎপন্ন
কৰিব পাৰে। ৯ গছৰ গুৰিত ইতিমধ্যে কুঠাৰ লাগিয়েই আছে; যি
গছে ভাল ফল নিদিয়ে, তাক কাটি জুইত পেলোৱা হব।” ১০ তেতিয়া
লোক সকলে যোহনক সুধিলে, “তেনেহলে আমি এতিয়া কি কৰিব
লাগিব?” ১১ তেওঁ উত্তৰ দি তেওঁলোকক ক’লে, “যদি কাৰোবাৰ দুটা
চোলা আছে, তেনেহলে যাৰ নাই তেওঁক এটা চোলা দিয়ক আৰু যাৰ
খোৱা বস্তু আছে, তেৰোঁ সেইদৰে কৰক।” ১২ তেতিয়া কেইজনমান
কৰ সংগ্ৰহকাৰীয়ো বাপ্তিস্ম লবৰ বাবে আহিল। তেওঁলোকে তেওঁক
সুধিলে, “হে গুৰু, আমি কি কৰিব লাগে?” ১৩ তেওঁ সেই লোক সকলক
ক’লে, “যিমান কৰ আদায় কৰিব লাগে তাতকৈ অধিক ধন নলব।” ১৪
কেইজনমান সৈনিকেও তেওঁক সুধিলে, “আৰু আমাৰ বিষয়েনো কি
হ’ব? আমি কি কৰিম?” তেওঁ তেওঁলোকক ক’লে, “বলেৰে কাৰো
পৰা ধন নলব। কাকো মিছাকৈ দোষাৰোপ নকৰিব। আপোনালোকৰ
যি বেতন তাতে সন্তুষ্ট হৈ থাকিব।” ১৫ লোক সকলে যিহেতু অতি
আগ্ৰহেৰে খ্ৰীষ্টৰ আগমণলৈ অপেক্ষা কৰি আছিল, সেয়ে এই যোহনেই
তেওঁলোকৰ সেই প্ৰত্যাশিত অভিষিক্ত খ্ৰীষ্ট জন হয় নে নহয় সেই
বিষয়ে তেওঁলোকে মনে মনে বিবেচনা কৰি আছিল। ১৬ যোহনে উত্তৰ
দি সকলোকে কলে, “মই আপোনালোকক পানীতহে বাপ্তিস্ম দিওঁ,
কিন্তু মোতকৈ অধিক শক্তিমান এজন আহিছে; মই তেওঁৰ পাদুকাৰ
ফিটাৰ বান্ধ খুলিবৰো যোগ্য নহওঁ; তেৰেঁই আপোনালোকক পবিত্ৰ
আত্মাত আৰু জুইত বাপ্তিস্ম দিব। ১৭ শস্যৰ মৰণা মৰা চোতাল
ভালকৈ পৰিষ্কাৰ কৰিবলৈ আৰু ধান নিজৰ ভঁৰালত চপাই থবলৈ
তেওঁৰ কুলা তেওঁৰ হাতত আছে আৰু যি জুই কেতিয়াও নুনুমায়, তাত
তেওঁ ঘুলা পুৰি পেলাব।” ১৮ এইদৰে আন বহুতো উপদেশ দি যোহনে
লোক সকলৰ আগত শুভবাৰ্তা প্ৰচাৰ কৰিলে। ১৯ ৰজা হেৰোদে
নিজৰ ভায়েকৰ ভাৰ্যা হেৰোদিয়াক বিয়া কৰোঁৱা আৰু তেওঁ কৰা
অন্যান্য কু-কৰ্মবোৰৰ কাৰণে যোহনে হেৰোদকো তিৰস্কাৰ কৰিলে।

২০ তেতিয়া হেৰোদে পূণৰ আন এক দুষ্কৰ্ম কৰিলে; তেওঁ যোহনক
বন্দী কৰি বন্দীশালত থলে। ২১ সকলো মানুহে যেতিয়া যোহনৰ
দ্বাৰা বাপ্তিস্ম লৈ আছিল, যীচুয়েও বাপ্তিস্ম ললে। পাছত তেওঁ যেতিয়া
প্ৰাৰ্থনা কৰিলে, তেতিয়া আকাশৰ দুৱাৰ মুকলি হ'ল। ২২ সেই সময়ত
পবিত্ৰ আত্মা এক কপৌৰ আকৃতিৰে তেওঁৰ ওপৰলৈ নামি আহিল আৰু
স্বৰ্গৰ পৰা এই মাত শুনা গ'ল, "তুমি মোৰ প্ৰিয় পুত্ৰ, তোমাত মই পৰম
সন্তুষ্ট।" ২৩ প্ৰায় ত্ৰিশ বছৰ বয়সত যীচুৱে নিজৰ কাৰ্য আৰম্ভ কৰিলে।
লোক সকলৰ ধাৰণাত তেওঁ যোচেফৰ পুত্ৰ; যোচেফ এলিৰ পুত্ৰ; ২৪
এলি মত্ততৰ পুত্ৰ; মত্তৎ লেবীৰ, লেবী মল্কিৰ; মল্কি যান্নায়ৰ; যান্নায়
যোচেফৰ পুত্ৰ; ২৫ যোচেফ মত্তথিয়ৰ পুত্ৰ; মত্তথিয় আমোচৰ; আমোচ
নহূমৰ; নহূম ইচলিৰ; ইচলি নগিৰ পুত্ৰ; ২৬ নগি মাটৰ পুত্ৰ; মাট
মত্তথিয়ৰ; মত্তথিয় চিমিয়িনৰ; চিমিয়িন যোচেফৰ; যোচেফ যোদাৰ
পুত্ৰ; ২৭ যোদা যোহাননৰ পুত্ৰ; যোহানন ৰীচাৰ; ৰীচা, জৰুব্বাবিলৰ;
জৰুব্বাবিল চল্টীয়েলৰ; চল্টীয়েল নেৰিৰ; ২৮ নেৰি মল্কিৰ পুত্ৰ; মল্কি
অদ্দীৰ; অদ্দী কোচমৰ; কোচম ইলমাদমৰ; ইলমাদম এৰৰ; ২৯ এৰ
যিহোচুৱাৰ পুত্ৰ; যিহোচুৱা ইলীয়েচৰৰ; ইলীয়েচৰ যোৰীমৰ; যোৰীম
মত্ততৰ; মত্তত লেবীৰ; ৩০ লেবী চিমিয়োনৰ পুত্ৰ; চিমিয়োন যুদাৰ;
যুদা যোচেফৰ; যোচেফ যোনমৰ; যোনম ইলীয়াকীমৰ; ৩১ ইলীয়াকীম
মিলেয়াৰ পুত্ৰ; মিলেয়া মিন্নাৰ; মিন্না মত্তথৰ; মত্তথ নাথনৰ; নাথন
দায়ুদৰ; ৩২ দায়ুদ যিচয়ৰ পুত্ৰ; যিচয় ওবেদৰ; ওবেদ বোৱজৰ;
বোৱজ চালমোন; চলমোন নহচোনৰ; ৩৩ নহচোন অম্মীনাদবৰ পুত্ৰ;
অম্মীনাদব অদমীন; অদমীন অৰ্ণীৰ পুত্ৰ; অৰ্ণী হিষ্ৰোণৰ; হিষ্ৰোণ
পেৰচৰ; পেৰচ যিহূদাৰ পুত্ৰ; ৩৪ যিহূদা যাকোবৰ পুত্ৰ; যাকোব
ইচহাকৰ; ইচহাক অব্ৰাহামৰ; অব্ৰাহাম তেৰহৰ; তেৰহ নাহোৰৰ পুত্ৰ;
৩৫ নাহোৰ চৰূগৰ পুত্ৰ; চৰূগ ৰিয়ূৰ; ৰিয়ূ পেলগৰ; পেলগ এবৰৰ; এবৰ
চেলহৰ পুত্ৰ; ৩৬ চেলহ কৈননৰ পুত্ৰ; কৈনন অৰ্ফকচদৰ; অৰ্ফকচদ
চেমৰ; চেম নোহৰ; নোহ লেমকৰ পুত্ৰ; ৩৭ লেমক মথূচেলহৰ পুত্ৰ;
মথূচেলহ হনোকৰ; হনোক যেৰদৰ; যেৰদ মহলালেলৰ; মহলালেল

কৈননৰ পুত্ৰ; ৩৮ কৈনন ইনোচৰ পুত্ৰ; ইনোচ চেথৰ; চেথ আদমৰ
পুত্ৰ; আদম ঈশ্বৰৰ পুত্ৰ।

**4** ইয়াৰ পাছত যীচু পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হৈ যৰ্দ্দন নদীৰ পৰা
উলটি আহিল আৰু আত্মাৰ দ্বাৰা পৰিচালিত হৈ মৰুপ্ৰান্তলৈ গ'ল।। ২
তাত চল্লিশ দিন ধৰি চয়তানে তেওঁক প্ৰলোভনত পেলাব বিচাৰিলে।
এই চল্লিশ দিন যীচুৱে একোকে নাখালে; সেয়ে, এই সময় পাৰ
হোৱাৰ পাছত তেওঁৰ ভোক লাগিল। ৩ তেতিয়া চয়তানে যীচুক ক'লে,
"আপুনি যদি ঈশ্বৰৰ পুত্ৰ হয়, তেনেহলে এই শিলবোৰ পিঠা হবলৈ
দিয়ক।" ৪ যীচুৱে তাক উত্তৰ দিলে, "শাস্ত্ৰত লিখা আছে, মানুহ কেৱল
পিঠাৰে জীয়াই নাথাকে।" ৫ তাৰ পাছত চয়তানে যীচুক এক ওখ
ঠাইলৈ লৈ গ'ল আৰু মুহূৰ্ততে জগতৰ সকলো ৰাজ্য তেওঁক দেখুৱালে।
৬ চয়তানে তেওঁক ক'লে, "এই সকলো ৰাজ্যৰ ক্ষমতা আৰু সেইবোৰৰ
ঐশ্বৰ্য মই আপোনাক দিম, কাৰণ এই সকলো মোক দিয়া হৈছে আৰু
মই যি জনকে ইচ্ছা কৰোঁ, তেওঁকে এইবোৰ দিব পাৰোঁ। ৭ এই
হেতুকে আপুনি যদি মোৰ আগত প্ৰণিপাত কৰি মোৰ আৰাধনা কৰে,
তেনেহলে এই সকলো আপোনাৰেই হব।" ৮ তেতিয়া যীচুৱে উত্তৰ দি
তাক ক'লে, "শাস্ত্ৰত লিখা আছে: 'তুমি কেৱল তোমাৰ প্ৰভু পৰমেশ্বৰক
প্ৰণিপাত কৰিবা, আৰু তেওঁৰেই কেৱল সেৱা কৰিবা।'" ৯ তাৰ পাছত
চয়তানে যীচুক যিৰূচালেমলৈ লৈ গ'ল আৰু মন্দিৰৰ সুউচ্চ চূড়াৰ
ওপৰত থিয় কৰাই ক'লে, "আপুনি যদি ঈশ্বৰৰ পুত্ৰ হয়, তেনেহলে
ইয়াৰ পৰা তললৈ নিজক পেলাই দিয়ক। ১০ কিয়নো শাস্ত্ৰত এনেদৰে
লিখা আছে: 'তোমাক ৰক্ষা কৰিবলৈ তেওঁ নিজৰ দূত সকলক তোমাৰ
অৰ্থে আজ্ঞা দিব' আৰু ১১ 'তোমাৰ ভৰি যেন শিলত খুন্দা নাখায়,
এই কাৰণে তেওঁলোকে তোমাক হাতেৰে দাঙি ধৰিব'।" ১২ তেতিয়া
যীচুৱে উত্তৰ দি ক'লে, "'তোমাৰ প্ৰভু পৰমেশ্বৰক পৰীক্ষা নকৰিবা'
এনেকৈয়ো লিখা আছে।" ১৩ এইদৰে চয়তানে যীচুক পৰীক্ষা কৰাৰ
পাছত আন সময়ত সুযোগ পোৱাৰ অপেক্ষাৰে যীচুক এৰি থৈ আতৰি
গ'ল। ১৪ তাৰ পাছত যীচু আত্মাৰ শক্তিৰে গালীল প্ৰদেশলৈ উলটি গ'ল
আৰু এই সংবাদ সেই অঞ্চলৰ চাৰিওদিশে বিয়পি পৰিল। ১৫ তেওঁ

তেওঁলোকৰ নাম-ঘৰবোৰত শিক্ষা দিব ধৰিলে, আৰু সকলোৱে তেওঁৰ
প্ৰশংসা কৰিলে। ১৬ এদিন যীচু নাচৰতলৈ গ'ল। এই ঠাইতে তেওঁ
ডাঙৰ-দীঘল হৈছিল। তেওঁ নিজৰ নিয়ম অনুসাৰে বিশ্ৰামবাৰে নাম-
ঘৰত সোমাই শাস্ত্ৰপাঠ কৰিবলৈ থিয় হ'ল। ১৭ তেওঁৰ হাতত ভাৱবাদী
যিচয়াই লিখা পুস্তক খন দিয়া হ'ল। তেওঁ সেই পুস্তক মেলোতে এই
অংশটো পালে, য'ত লিখা আছে: ১৮ "প্ৰভুৰ আত্মা মোৰ ওপৰত আছে,
কিয়নো দৰিদ্ৰ সকলৰ আগত শুভবাৰ্তা প্ৰচাৰ কৰিবলৈ, তেওঁ মোক
অভিষিক্ত কৰিলে। তেওঁ মোক বন্দীয়াৰ সকলৰ আগত মুক্তিৰ কথা
আৰু অন্ধৰ আগত পুনৰায় দৃষ্টি পোৱাৰ কথা ঘোষণা কৰিবলৈ পঠালে।
চেপা খোৱা সকলক মুকলি কৰিবলৈ পঠালে। ১৯ ইয়াৰ উপৰি প্ৰভুৰ
গ্ৰাহ্য বছৰ ঘোষণা কৰিবলৈ মোক পঠালে।" ২০ পাছত যীচুৱে পুস্তক
খন জপাই পৰিচাৰকৰ হাতত দিলে আৰু তেওঁ বহিল। সেই সময়ত
নাম-ঘৰত উপস্থিত থকা লোক সকলৰ দৃষ্টি তেওঁৰ ওপৰত আছিল।
২১ তেতিয়া তেওঁ তেওঁলোকক কবলৈ ধৰিলে, "ধৰ্মশাস্ত্ৰৰ এই যি বচন
আপোনালোকে শুনিলে, সেয়া আজি পূৰ্ণ হ'ল।" ২২ তেওঁ কোৱা কথাৰ
পক্ষে সকলোৱে সাক্ষ্য দিলে আৰু তেওঁৰ মুখৰ পৰা ওলোৱা অনুগ্ৰহৰ
কথাত বিস্মিত হ'ল। তেওঁলোকে ক'লে, "এওঁ যোচেফৰ পুতেক নহয়
জানো?" ২৩ যীচুৱে তেওঁলোকক ক'লে, "অৱশ্যেই আপোনালোকে
প্ৰচলিত এই দৃষ্টান্তটো মোক কব, 'বেজ, আগেয়ে নিজকে সুস্থ কৰা'।
কফৰনাহূমত তুমি যি যি কাৰ্য কৰিছা বুলি আমি শুনিছো, সেই সকলো
ইয়াত নিজৰ গাওঁটো কৰা।" ২৪ তেওঁ পুনৰ ক'লে, "মই সঠিক
ভাবে আপোনালোকক কওঁ, কোনো ভাৱবাদী তেওঁৰ নিজৰ গাৱঁত
গ্ৰাহ্য নহয়। ২৫ মই সত্যতাৰে আপোনালোকক কওঁ যে, এলিয়াৰ
দিনত যেতিয়া চাৰে তিনি বছৰ ধৰি বৰষুণ নোহোৱাকৈ আকাশ বন্ধ
আছিল আৰু গোটেই দেশত বৰ আকাল হৈছিল, সেই সময়ত ইস্ৰায়েল
দেশত অনেক বিধৱা আছিল; ২৬ কিন্তু তেওঁলোকৰ কোনো এজনীৰ
ওচৰলৈকে এলিয়াক পঠোৱা হোৱা নাছিল, কেৱল চীদোন এলেকাৰ
চাৰিফতত বাস কৰা অনা-ইহুদী বিধৱা এগৰাকীৰ কাষলৈহে পঠোৱা
হৈছিল। ২৭ পুণৰ ইলীচা ভাববাদীৰ দিনত ইস্ৰায়েলৰ মাজত অনেক

কুষ্ঠ ৰোগী আছিল, কিন্তু তেওঁলোকৰ কোনো এজনকে সুস্থ কৰা
হোৱা নাছিল, কেৱল চিৰিয়া দেশৰ নামানকহে সুস্থ কৰি শুচি কৰা
হৈছিল।" ২৮ এইবোৰ কথা শুনি নাম-ঘৰৰ লোক সকল খঙত জ্বলি-
পকি উঠিল। ২৯ তেওঁলোকে উঠি যীচুক বলেৰে নগৰৰ বাহিৰলৈ
লৈ গ'ল আৰু তেওঁলোকে পাহাৰৰ চূড়াৰ পৰা তেওঁক ঠেলি তললৈ
পেলাই দিয়াৰ মনোভাবেৰে তেওঁলোকৰ নগৰ খন যি পাহাৰৰ ওপৰত
আছিল, সেই পাহাৰ খনৰ শেষ প্ৰান্তলৈকে তেওঁক লৈ গ'ল। ৩০
কিন্তু তেওঁ সেই লোক সকলৰ মাজেদিয়েই ওলাই আহিল আৰু তেওঁৰ
পথত গুচি গ'ল। ৩১ তাৰ পাছত যীচু গালীল প্ৰদেশৰ কফৰনাহূম
চহৰলৈ গ'ল। তাত এদিন বিশ্ৰামবাৰে তেওঁ লোক সকলক নাম-
ঘৰত উপদেশ দি আছিল। ৩২ তেওঁৰ উপদেশত তেওঁলোকে বিস্ময়
মানিলে; কিয়নো তেওঁ ক্ষমতাৰে সৈতে শিক্ষা দিছিল। ৩৩ নাম-ঘৰত
সেইদিনা অশুচি আত্মাৰ ভূতে পোৱা এজন মানুহ আছিল। তেওঁ বৰ
মাতেৰে চিঞৰি কৈছিল, ৩৪ "হে, নাচৰতীয়া যীচু! আপোনাৰ লগত
আমাৰ কি প্ৰয়োজন? আপুনি আমাক ধ্বংস কৰিবলৈ আহিছে নেকি?
মই জানো আপুনি কোন, আপুনি ঈশ্বৰৰ পবিত্ৰ জন।" ৩৫ যীচুৱে তাক
ডবিয়াই কলে, "মনে মনে থাক আৰু তাৰ পৰা বাহিৰ ওলা!" তেতিয়া
সেই ভূতৰ আত্মাই মানুহ জনক সকলোৰে মাজতে আচাৰি পেলালে
আৰু তেওঁৰ একো ক্ষতি নকৰাকৈ তেওঁৰ ভিতৰৰ পৰা বাহিৰ ওলাই
গ'ল। ৩৬ ইয়াকে দেখি সকলোৱে অবাক হৈ নিজৰ মাজতে কোৱা-
কুই কৰিবলৈ ধৰিলে, "ই কেনেকুৱা কথা? ক্ষমতা আৰু পৰাক্ৰমেৰে
এওঁ দেখোন অশুচি আত্মাবোৰকো আজ্ঞা দিয়ে আৰু সিহঁত বাহিৰ
ওলাই যায়?" ৩৭ পাছত তেওঁৰ বিষয়ে সকলো কথা সেই অঞ্চলৰ
চাৰিওফালে থকা সকলো ঠাইতে বিয়পি গ'ল। ৩৮ যীচু নাম-ঘৰৰ
পৰা ওলাই চিমোনৰ ঘৰলৈ গ'ল। তাতে চিমোনৰ শাহুয়েক ভীষণ
জ্বৰত কষ্ট পাই আছিল। তেওঁক সুস্থ কৰিবৰ কাৰণে তেওঁলোকে
যীচুক অনুৰোধ কৰিলে। ৩৯ তেতিয়া যীচুৱে চিমোনৰ শাহুয়েকৰ
ওচৰত থিয় হৈ জ্বৰক ডবিয়ালে। তেতিয়া তেওঁৰ পৰা জ্বৰ এৰিলে
আৰু তেওঁ উঠি তেওঁলোকৰ সেৱা শুশ্ৰূষা কৰিব ধৰিলে। ৪০ সূৰ্য অস্ত

যোৱাৰ সময়ত লোক সকলে নানা ধৰণৰ ৰোগত আক্ৰান্ত সকলো
ৰোগীকে যীচুৰ ওচৰলৈ লৈ আনিলে। তেওঁ তেওঁলোকৰ প্ৰত্যেকৰে
ওপৰত হাত ৰাখি সুস্থ কৰিলে। ৪১ তেওঁলোকৰ মাজৰ অনেকৰ পৰা
ভূতবোৰ ওলাই আহিল। সিহঁতে আটাহ পাৰি কবলৈ ধৰিলে, “আপুনি
ঈশ্বৰৰ পুত্ৰ!” কিন্তু তেওঁ সিহঁতক ডবিয়াই মুখ বন্ধ কৰি দিলে; কাৰণ
সিহঁতে জানিছিল যে, তেৱেঁই খ্ৰীষ্ট। ৪২ যেতিয়া ৰাতিপুৱা হ’ল, যীচু
ওলাই আহি এক নিৰ্জন ঠাইলৈ গ’ল। তাতে জনতাৰ এটা বৃহৎ দলে
তেওঁক বিচাৰি আহি তেওঁৰ ওচৰ পালে আৰু তেওঁলোকৰ ওচৰৰ পৰা
তেওঁ আতৰি নাযাবৰ বাবে তেওঁক ধৰি ৰাখিবলৈ চেষ্টা কৰিলে। ৪৩
কিন্তু তেওঁ তেওঁলোকক ক’লে, “মই আন নগৰতো ঈশ্বৰৰ ৰাজ্যৰ
বিষয়ে শুভবাৰ্তা ঘোষণা কৰিব লাগে, কাৰণ এই বাবেই মোক পঠোৱা
হৈছে।” ৪৪ তাৰ পাছত তেওঁ সমগ্ৰ যিহূদা ৰাজ্যৰ নাম-ঘৰবোৰত
প্ৰচাৰ কৰি ফুৰিলে।

৫ এদিন যীচু গিনেচৰৎ হ্ৰদৰ পাৰত থিয় হৈ আছিল আৰু বহুলোকে
তেওঁক চাৰিওকাষে বেৰি ধৰি ঈশ্বৰৰ বাক্য শুনি আছিল। ২ এনে
সময়তে তেওঁ দেখিলে হ্ৰদৰ দাঁতিত দুখন নাও ৰৈ আছে আৰু
মাছমৰীয়া সকলে নাও দুখনৰ পৰা নামি জাল ধুই আছে। ৩ তাৰে
এখন নাৱত যীচু উঠিল, সেই নাও খন চিমোনৰ আছিল। যীচুৱে
তেওঁক নাও খন বামৰ পৰা অলপ দূৰৈত লৈ যাবৰ বাবে ক’লে; তাৰ
পাছত তেওঁ নাৱত বহিল আৰু তাৰ পৰাই লোক সকলক শিক্ষা দিব
ধৰিলে। ৪ তেওঁৰ কথা শেষ হোৱাত চিমোনক ক’লে, “এতিয়া দ
পানী লৈ নাও খন লৈ ব’লা আৰু তাত মাছ ধৰাৰ কাৰণে তোমালোকৰ
জাল পেলোৱা।” ৫ চিমোনে উত্তৰ দি ক’লে, “হে মহাশয়, আমি ওৰে
ৰাতি পৰিশ্ৰম কৰি একো নাপালোঁ; তথাপি আপোনাৰ কথাত মই
জাল পেলাম।” ৬ পাছত তেওঁলোকে তাত জাল পেলাওতে, প্ৰচুৰ
মাছ জালত লাগিল আৰু তেওঁলোকৰ জাল ফাটিবলৈ ধৰিলে। ৭
তেতিয়া তেওঁলোকে সহায়ৰ কাৰণে আন নাৱত থকা সঙ্গী সকলক
হাত বাউল দি মাতিলে আৰু সঙ্গী সকলে আহি দুয়োখন নাৱত ইমান
মাছ ভৰালে যে, নাও ডুবো ডুবো হ’ল। ৮ ইয়াকে দেখি চিমোন

পিতৰে যীচুৰ চৰণত পৰি ক'লে, "প্ৰভু মই এজন পাপী মানুহ, আপুনি
মোৰ ওচৰৰ পৰা আতৰি যাওক।" ৯ ইমানবোৰ মাছ দেখি চিমোন
আৰু তেওঁৰ লগত মাছ ধৰোতে একেলগে থকা লোক সকল অবাক
হৈ গ'ল। ১০ চিমোনৰ ব্যৱসায়ৰ সঙ্গী চিবদিয়ৰ পুতেক যাকোব
আৰু যোহনও আচৰিত হ'ল। তেতিয়া যীচুৱে চিমোনক ক'লে, "ভয়
নকৰিবা, এতিয়াৰ পৰা তুমি মনুষ্য ধৰিবা।" ১১ পাছে তেওঁলোকে
নাও কেইখন বামলৈ আনি সকলো ত্যাগ কৰি যীচুৰ অনুগামী হ'ল। ১২
এবাৰ যীচু অন্য এখন নগৰত আছিল। তাত সৰ্ব শৰীৰ কুষ্ঠ ৰোগেৰে
ভৰা এজন মানুহে যীচুক দেখি উবুৰি হৈ পৰিল আৰু মিনতি কৰি
তেওঁক ক'লে, "প্ৰভু, আপুনি যদি ইচ্ছা কৰে, তেনেহলে মোক শুচি
কৰিব পাৰে।" ১৩ তেতিয়া যীচুৱে হাত মেলি তেওঁক চুই ক'লে, "মই
এতিয়াই ইচ্ছা কৰিছোঁ, তুমি শুচি হোৱা।" আৰু তেতিয়াই তেওঁৰ
শৰীৰৰ পৰা কুষ্ঠৰোগ আতৰিল। ১৪ তাৰ পাছত যীচুৱে তেওঁক এই
আদেশ দিলে "এই কথা কাকো নকবা। কিন্তু যোৱা, পুৰোহিতৰ
ওচৰত নিজকে দেখুওৱাগৈ আৰু লোক সকলৰ আগত সাক্ষ্য হবলৈ
শুচি হোৱাৰ কাৰণে মোচিৰ নিৰ্দেশ অনুসৰি বলি উৎসৰ্গ কৰাগৈ।"
১৫ তথাপি যীচুৰ বিষয়ে নানা খবৰ অধিক ৰূপত বিয়পি গ'ল আৰু
তেওঁৰ কথা শুনিবলৈ আৰু ৰোগৰ পৰা সুস্থ হবৰ বাবে বহুলোকে
তেওঁৰ ওচৰলৈ আহি ভিৰ কৰিব ধৰিলে। ১৬ কিন্তু যীচুৱে প্ৰায়ে
আতৰি গৈ নিৰ্জন ঠাইত প্ৰাৰ্থনা কৰি আছিল। ১৭ এদিন তেওঁ শিক্ষা দি
থকা সময়ত কেইজনমান ফৰীচী আৰু বিধানৰ অধ্যাপক তাত বহি
আছিল। তেওঁলোক গালীল আৰু যিহূদা অঞ্চলৰ বিভিন্ন গাওঁ আৰু
যিৰূচালেম নগৰৰ পৰাও আহিছিল। ৰোগী সুস্থ কৰিবলৈ প্ৰভুৰ শক্তি
যীচুৰ লগত আছিল। ১৮ তেনে সময়তে কেইজনমান মানুহে এজন
পক্ষাঘাতগ্ৰস্ত ব্যক্তিক শয্যাৰে সৈতে কঢ়িয়াই আনিলে; তেওঁলোকে
ৰোগীজনক যীচুৰ সন্মুখত থবলৈ ইচ্ছা কৰি ভিতৰত আনিবৰ বাবে
চেষ্টা কৰিছিল। ১৯ কিন্তু লোক সকলৰ ভিৰৰ কাৰণে ভিতৰলৈ যাবৰ
বাবে বাট নাপালে। সেই কাৰণে তেওঁলোকে ঘৰৰ ওপৰত উঠি চালি
আতৰাই শয্যাৰ সৈতে ৰোগীজনক লোক সকলৰ মাজত থকা যীচুৰ

সন্মুখতে একেবাৰে নমাই দিলে। ২০ তেওঁলোকৰ বিশ্বাস দেখি যীচুৱে
ক'লে, "ভাই, তোমাৰ পাপ ক্ষমা কৰা হ'ল।" ২১ তাতে বিধানৰ
অধ্যাপক আৰু ফৰীচী সকলে এই আলোচনা কৰিবলৈ ধৰিলে, "ঈশ্বৰক
নিন্দা কৰি কথা কোৱা এই জন কোন হয়? একমাত্ৰ ঈশ্বৰৰ বাহিৰে
আন কোনে পাপ ক্ষমা কৰিব পাৰে?" ২২ কিন্তু যীচুৱে তেওঁলোকৰ
মনৰ চিন্তা বুজি পাই ক'লে, "আপোনালোকে মনলৈ কিয় এই প্ৰশ্ন
আনিছে? ২৩ কোনটো কবলৈ সহজ, 'তোমাৰ পাপ ক্ষমা কৰা হল' নে
'তুমি উঠি খোজকাঢ়ি ফুৰা'? ২৪ কিন্তু আপোনালোকে যেন জানিব
পাৰে যে পৃথিৱীত পাপ ক্ষমা কৰিবলৈ মানুহৰ পুত্ৰৰক্ষমতা আছে।"
সেয়ে তেওঁ পক্ষাঘাত ৰোগীজনক ক'লে, "মই তোমাক কওঁ, উঠা,
তোমাৰ শয্যা তুলি লৈ নিজৰ ঘৰলৈ যোৱা।" ২৫ লগে লগে সকলোৰে
সন্মুখত মানুহ জন থিয় হ'ল আৰু যি শয্যাৰ ওপৰত তেওঁ শুই আছিল,
সেই শয্যা তুলি লৈ ঈশ্বৰৰ প্ৰশংসা কৰি কৰি নিজৰ ঘৰলৈ উলটি
গ'ল। ২৬ তাতে সকলো লোক আচৰিত হ'ল আৰু ভয়েৰে ঈশ্বৰৰ
স্তুতি কৰি ক'লে, "আজি আমি আশ্চৰ্যজনক ঘটনা দেখিলোঁ।" ২৭
এই ঘটনাৰ পাছত, যীচু তাৰ পৰা বাহিৰলৈ ওলাই গ'ল আৰু কৰ
আদায় কৰা ঠাইত লেবী নামৰ এজন কৰ-সংগ্ৰহক বহি থকা দেখি
তেওঁক ক'লে, "মোৰ পাছে পাছে আহা।" ২৮ তাতে লেবী উঠিল আৰু
সকলো এৰি যীচুৰ অনুগামী হ'ল। ২৯ তাৰ পাছত লেবীয়ে নিজৰ
ঘৰত যীচুৰ কাৰণে এক বৰ ভোজ পাতিলে; তেওঁলোকৰ লগত অনেক
কৰ-সংগ্ৰহক আৰু আন আন কিছুমান লোকো ভোজ মেজত বহিছিল
আৰু খাই আছিল। ৩০ তেতিয়া ফৰীচী আৰু তেওঁলোকৰ বিধানৰ
অধ্যাপক সকলে যীচুৰ শিষ্য সকলৰ ওচৰত অভিযোগ কৰি ক'লে,
"তোমালোকে কিয় কৰ-সংগ্ৰহক আৰু পাপী লোকৰ সৈতে ভোজন-
পান কৰা?" ৩১ তেতিয়া যীচুৱে উত্তৰ দি ক'লে, "নিৰোগী মানুহৰ
বেজত সকাম নাই; কিন্তু ৰোগীৰহে আছে। ৩২ মই ধাৰ্মিক জনক নহয়;
কিন্তু মন-পালটন কৰিবলৈ পাপীকহে নিমন্ত্ৰণ কৰিবলৈ আহিছোঁ।" ৩৩
তেওঁলোকে যীচুক ক'লে, "যোহনৰ শিষ্য সকলে প্ৰায়ে প্ৰাৰ্থনা কৰে
আৰু লঘোন দিয়ে, ফৰীচী সকলৰ অনুগামী সকলেও সেইদৰে কৰে;

কিন্তু আপোনাৰ শিষ্য সকলে সকলো সময়তে ভোজন-পান কৰে।”
৩৪ তেতিয়া যীচুৱে তেওঁলোকক ক’লে, “দৰা লগত থাকোতে বৰযাত্ৰী
সকলক জানো কোনোৱে উপবাসে ৰাখিব পাৰে? ৩৫ কিন্তু এনে দিন
আহিব, তেতিয়া তেওঁলোকৰ ওচৰৰ পৰা দৰাক লৈ যোৱা হ'ব আৰু
সেই দিনবোৰত তেওঁলোকেও লঘোন দিব।” ৩৬ তেতিয়া যীচুৱে
তেওঁলোকক এটা দৃষ্টান্ত দি ক’লে, “নতুন বস্ত্ৰৰ পৰা এডোখৰ ফালি
লৈ কোনেও পুৰণি বস্ত্ৰত টাপলি নামাৰে; যদি কোনোবাই সেইদৰে
কৰে, তেনেহলে তেওঁ নতুন বস্ত্ৰ খন ফালিব; তাৰ উপৰি নতুন বস্ত্ৰৰ
পৰা লোৱা কাপোৰৰ টুকুৰা ডোখৰ পুৰণি বস্ত্ৰৰ কাপোৰ খনৰ লগত
নিমিলিব। ৩৭ পুৰণি ছালৰ মোটত কোনেও নতুন দ্ৰাক্ষাৰস নথয়; থলে
নতুন ৰসে সেই মোট ফালি পেলাব; তাতে ৰসও পৰি যাব আৰু মোটো
নষ্ট হ'ব। ৩৮ নতুন দ্ৰাক্ষাৰস নতুন ছালৰ মোটত ৰখা উচিত। ৩৯
পুৰণি দ্ৰাক্ষাৰস পান কৰাৰ পাছত কোনেও নতুন ৰস পান কৰিবলৈ
নিবিচাৰে; কিয়নো তেওঁ কয়, ‘পুৰণিটোৱে ভাল’।”

**৬** এদিন বিশ্ৰামবাৰে যীচু শস্যক্ষেত্ৰৰ মাজেৰে গৈ আছিল। তাতে
তেওঁৰ শিষ্য সকলে শস্যৰ থোক ছিঙি, হাতেৰে মোহাৰি মোহাৰি খাই
গৈছিল। ২ ইয়াকে দেখি কেইজনমান ফৰীচীয়ে ক’লে, “বিধানৰ মতে
বিশ্ৰামবাৰে যি কাম আচলতে কৰিব নাপায়, সেই কাম তোমালোকে
কিয় কৰিছা?” ৩ তাৰ উত্তৰত যীচুৱে তেওঁলোকক ক’লে, “দায়ুদ আৰু
তেওঁৰ লগৰবোৰৰ যেতিয়া ভোক লাগিছিল, তেতিয়া তেওঁলোকে কি
কৰিছিল সেই কথা আপোনালোকে জানো পঢ়া নাই? ৪ তেওঁতো
ঈশ্বৰৰ গৃহত সোমাই ঈশ্বৰৰ দৰ্শন পিঠা লৈ খাইছিল আৰু তেওঁৰ সঙ্গী
সকলকো খাবলৈ দিছিল, কিন্তু সেই পিঠা পুৰোহিত সকলৰ বাহিৰে
আনে খোৱা বিধান সন্মত নাছিল।” ৫ যীচুৱে তেওঁলোকক পুনৰ ক’লে,
“মানুহৰ পুত্ৰই বিশ্ৰামবাৰৰ প্ৰভু।” ৬ আন এদিন বিশ্ৰামবাৰত যীচুৱে
নাম-ঘৰত সোমাই শিক্ষা দি আছিল; তাত এনে এজন লোক আছিল যি
জনৰ সোঁ হাত খন শুকাই গৈছিল। ৭ বিধানৰ অধ্যাপক আৰু ফৰীচী
সকলে যীচুক দোষ দিবৰ বাবে এক অজুহাত বিচাৰি আছিল। সেয়ে
বিশ্ৰামবাৰে তেওঁ কাৰোবাক সুস্থ কৰে নে নকৰে তাকে চাবলৈ যীচুক

ওচৰৰ পৰা লক্ষ্য কৰি থাকিল। ৮ যীচুৱে তেওঁলোকৰ মনৰ ভাব
জানিছিল আৰু সেয়ে শুকানহতীয়া মানুহ জনক তেওঁ ক'লে, "তুমি উঠি
সকলোৰে মাজত থিয় হোৱা।" তেতিয়া মানুহ জনে সকলোৰে আগত
থিয় হ'ল। ৯ তেতিয়া যীচুৱে অধ্যাপক আৰু ফৰীচী সকলক ক'লে,
"মই আপোনালোকক এটা প্ৰশ্ন সুধো, 'বিধান অনুসাৰে বিশ্ৰামবাৰে
কেনে ধৰণৰ কৰ্ম কৰা উচিত, ভাল কৰ্ম কৰা নে বেয়া কৰা? এজনৰ
প্ৰাণ বচোঁৱা নে ধ্বংস কৰা উচিত'?" ১০ তাৰ পাছত চাৰিওফালে
বহি থকা লোক সকলক চাই যীচুৱে মানুহ জনক ক'লে, "তোমাৰ
হাত খন মেলি দিয়া।" তেওঁ সেই কথা শুনি হাত খন মেলি দিওঁতে,
তেওঁৰ হাত খন একেবাৰে ভাল হৈ গ'ল। ১১ তাতে ফৰীচী আৰু
অধ্যাপক সকলৰ ভীষণ খং উঠিল আৰু যীচুক লৈ কি কৰিব পৰা যায়
সেই বিষয়ে পৰস্পৰে আলোচনা কৰিবলৈ ধৰিলে। ১২ সেই সময়তে
যীচুৱে এবাৰ প্ৰাৰ্থনা কৰিবৰ কাৰণে পৰ্বতৰ ওপৰলৈ গ'ল। ওৰে
ৰাতি তেওঁ ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰি থাকিল। ১৩ পাছত পোহৰ
হোৱাৰ সময়ত, তেওঁ তেওঁৰ শিষ্য সকলক নিজৰ ওচৰলৈ মাতিলে
আৰু তেওঁলোকৰ মাজৰ পৰা বাৰ জনক মনোনীত কৰি তেওঁলোকক
'পাঁচনি' পদ দিলে। ১৪ সেই পাঁচনি সকলৰ নাম হ'ল- চিমোন,
এই জনক তেওঁ পিতৰ নাম দিছিল, আৰু তেওঁৰ ভায়েক আন্দ্ৰিয়;
যাকোব, যোহন, ফিলিপ, বাৰ্থলময়, ১৫ মথি, থোমা, আলফয়ৰ
পুতেক যাকোব, চিমোন, এই জন উদ্যোগী দলৰ লোক আছিল, ১৬
যাকোবৰ পুতেক যিহুদা আৰু যিহূদা ঈষ্কৰিয়োতীয়া, এই জনে শেষত
বিশ্বাসঘাতক হ'ল। ১৭ তাৰ পাছত যীচুৱে তেওঁৰ পাঁচনি সকলৰ
লগত পৰ্বতৰ পৰা নামি আহি এডোখৰ সমতল ভুমিত থিয় হ'ল।
তাত তেওঁৰ শিষ্য সকলৰ এক বিশাল দল আছিল। সমগ্ৰ যিহূদা,
যিৰূচালেম, তুৰ আৰু চীদোনৰ সমুদ্ৰৰ উপকুলবৰ্তী অঞ্চলৰ পৰা
অনেক লোক আহি তাত উপস্থিত হৈছিল। ১৮ তেওঁলোকে যীচুৰ কথা
শুনিবলৈ আৰু নৰিয়াৰ পৰা সুস্থ হবৰ বাবে তেওঁৰ ওচৰলৈ আহিছিল।
যি সকলে অশুচি আত্মাৰ দ্বাৰা কষ্ট পাই আছিল তেওঁলোকো সুস্থ
হ'ল। ১৯ তেতিয়া সকলোৱে তেওঁক স্পৰ্শ কৰাৰ চেষ্টা কৰিবলৈ

ধৰিলে, কাৰণ তেওঁৰ পৰা ওলাই অহা শক্তিয়ে সকলোকে আৰোগ্য
কৰিছিল। ২০ পাছত তেওঁ শিষ্য সকলৰ ফালে চাই ক'লে, "ধন্য
তোমালোক দৰিদ্ৰ সকল, কিয়নো ঈশ্বৰৰ ৰাজ্য তোমালোকৰ। ২১
ধন্য তোমালোক, যি জন এতিয়া ভোকাতুৰ, কিয়নো তোমালোক
তৃপ্ত হ'বা। ধন্য তোমালোক, যি সকলে এতিয়া কান্দি আছা, কিয়নো
তোমালোকে হাঁহিবা। ২২ ধন্য তোমালোক, যেতিয়া লোক সকলে
মানুহৰ পুত্ৰৰ কাৰণে তোমালোকক ঘিণ কৰে, সমাজচ্যুত কৰে, নিন্দা
কৰে, আৰু তোমালোকৰ নাম শুনিলে পাপিষ্ঠ বুলি বাহিৰ কৰে। ২৩
সেই সময়ত তোমালোকে আনন্দ কৰিবা, আনন্দত নাচি উঠিবা;
কিয়নো চোৱা, স্বৰ্গত তোমালোকৰ বাবে পুৰস্কাৰ সঞ্চিত আছে;
কাৰণ তেওঁলোকৰ পূৰ্ব-পুৰুষ সকলেও ভাৱবাদী সকলক এনে ধৰণৰ
ব্যৱহাৰে কৰিছিল। ২৪ কিন্তু হায় ধনৱন্ত লোক, তোমালোক সন্তাপৰ
পাত্ৰ! কিয়নো তোমালোকে নিজৰ সুখ পাইছা। ২৫ হায় হায় যি সকল
এতিয়া তৃপ্ত, তোমালোক সন্তাপৰ পাত্ৰ! কিয়নো তোমালোকে পাছত
ক্ষুধাৰ্ত হবা। হায় হায় যি সকলে এতিয়া হাঁহিছা, তোমালোক সন্তাপৰ
পাত্ৰ! কিয়নো তোমালোকে শোক আৰু ক্ৰন্দন কৰিবা। ২৬ যেতিয়া
সকলো মানুহে তোমালোকক শলাগিব, তোমালোক সন্তাপৰ পাত্ৰ!
কিয়নো তেওঁলোকৰ পূৰ্বপুৰুষ সকলে ভাঁৰিকোৱা ভাববাদী সকললৈও
এনে ধৰণৰ ব্যৱহাৰ কৰিছিল। ২৭ কিন্তু যি সকলে শুনি আছা, মই
তোমালোকক কওঁ, তোমালোকে নিজৰ শত্ৰুবোৰক প্ৰেম কৰিবা আৰু
যি সকলে তোমালোকক ঘিণ কৰে, তেওঁলোকলৈ মঙ্গল কৰিবা। ২৮
যি সকলে তোমালোকক শাও দিয়ে, তেওঁলোকক আশীৰ্বাদ কৰিবা।
যি সকলে তোমালোকক দুৰ্ব্যৱহাৰ কৰে, তেওঁলোকৰ কাৰণে প্ৰাৰ্থনা
কৰিবা। ২৯ কোনোৱে যদি তোমাৰ এখন গালত চৰ মাৰে, তেওঁক
আন খন গালো পাতি দিবা; আৰু কোনোৱে যদি তোমাৰ চাদৰ
খন কাঢ়ি লয়; তেওঁক তোমাৰ চোলাও ল'বলৈ বাধা নিদিবা। ৩০
যি জনে তোমাক খোজে, তেওঁক দিয়া; তোমাৰ কোনো বস্তু যদি
কোনোবাই লয়, তেনেহলে সেই বস্তু ওভোতাই নিবিচাৰিবা। ৩১
লোকে তোমালোকক যেনে ব্যৱহাৰ কৰিলে তোমালোকে ভাল পোৱা,

তোমালোকেও তেওঁলোকক তেনে ব্যৱহাৰ কৰা। ৩২ তোমালোকক
প্ৰেম কৰা সকলকহে যদি তোমালোকে প্ৰেম কৰা, তেনেহলে কি
প্ৰশংসা পাবা? কিয়নো পাপীয়েও তেওঁলোকক প্ৰেম কৰা সকলক প্ৰেম
কৰে। ৩৩ তোমালোকক উপকাৰ কৰা সকলকে যদি তোমালোকে
কেৱল উপকাৰ কৰা, তেনেহলে কি প্ৰশংসা পাবা? কিয়নো পাপীয়েও
সেইদৰে কৰ্ম কৰে। ৩৪ ধাৰ পৰিশোধৰ আশা কৰিব পৰা লোককে
যদি তোমালোকে কেৱল ধাৰ দিয়া, তেনেহলে তোমালোকে কি প্ৰশংসা
পাবা? কিয়নো পাপীয়েও পাপীক ধাৰ দিয়ে আৰু সেই ধাৰ পুণৰ ঘূৰাই
পোৱাৰ আশা কৰে। ৩৫ কিন্তু তোমালোকে নিজৰ শত্ৰুবোৰক প্ৰেম
কৰিবা আৰু উপকাৰ কৰিবা। কেতিয়াও কোনো বস্তু ঘূৰাই পাবলৈ
আশা নকৰি ধাৰ দিবা; এইদৰে উচিত কৰ্ম কৰিলে তোমালোকৰ
পুৰস্কাৰ অধিক হ’ব আৰু তোমালোক সৰ্বোপৰি জনাৰ সন্তান হ’বা।
কিয়নো তেওঁ অকৃতজ্ঞ আৰু দুষ্ট সকলৰ প্ৰতিও দয়াৱান হয়। ৩৬
তোমালোকৰ পিতৃ যেনে দয়ালু, তোমালোকো তেনে দয়ালু হোৱা।
৩৭ তোমালোকে পৰৰ সোধ-বিচাৰ নকৰিবা, তেতিয়া তোমালোকৰো
বিচাৰ কৰা নহ’ব। আনৰ দোষ নধৰিবা, তেতিয়া তোমালোকৰো
দোষ ধৰা নহ’ব। আন লোকক ক্ষমা কৰা, তেতিয়া তোমালোককো
ক্ষমা কৰা হ’ব। ৩৮ দান কৰা, তাতে তোমালোককো দান দিয়া হ’ব;
লোকে ঠিক জোখত হেঁচি, জোকাৰি, উপচাই, তোমালোকৰ কোঁচত
বাকি দিব; কিয়নো যি জোখেৰে তোমালোকে জোখা, সেই জোখেৰে
তোমালোককো জোখা হ’ব। ৩৯ পাছত যীচুৱে তেওঁলোকক এটা
দৃষ্টান্ত দি ক’লে, এজন অন্ধই জানো আন এজন অন্ধক বাট দেখুৱাই
নিব পাৰে? ৪০ দুয়ো খাৱৈত নপৰিব নে? গুৰুতকৈ শিষ্য উৰ্দ্ধত
নহয়; কিন্তু শিক্ষা সম্পূৰ্ণ হলে প্ৰতিজন শিষ্য নিজৰ গুৰুৰ দৰে হৈ
উঠে। ৪১ নিজৰ চকুত থকা চতি ডাললৈ মন নকৰি, ভায়েৰাৰ চকুত
থকা সৰু কুটা ডাললৈ কিয় চাইছা? ৪২ তুমি নিজৰ চকুত থকা চতি
ডাললৈ নাচাই, কেনেকৈ তোমাৰ ভাইক ক’ব পাৰা যে, ‘ভাই, তোমাৰ
চকুত যি কুটা আছে, আহা সেই ডাল উলিয়াই দিওঁ’। হে কপটীয়া,
প্ৰথমতে নিজৰ চকুৰ পৰা চতি ডাল উলিয়াই পেলোৱা, তেতিয়া

তোমাৰ ভায়েৰাৰ চকুত থকা কুটা ডাল উলিয়াবলৈ ভালদৰে দেখা
পাবা।” ৪৩ “এনে কোনো ভাল গছ নাই, য’ত বেয়া ফল ধৰে; এনে
কোনো বেয়া গছ নাই, য’ত ভাল ফল ধৰে। ৪৪ কাৰণ প্ৰত্যেক গছকে
তাৰ ফলৰ দ্বাৰাই চিনা যায়। কিয়নো মানুহে কাঁইটীয়া জোপোহাৰ
পৰা ডিমৰু ফল সংগ্ৰহ নকৰে। পুলি কাঁইটৰ পৰাও আঙুৰ নাপাৰে।
৪৫ ভাল মানুহে নিজৰ হৃদয়ৰ ভাল ভঁৰালৰ পৰা ভাল দ্ৰব্য উলিয়ায়
আৰু দুষ্ট লোকে মন্দ হৃদয়ৰ পৰা মন্দ বিষয় উলিয়ায়। কিয়নো মানুহৰ
হৃদয়ত যি থাকে, তেওঁৰ মুখে তাকে কয়। ৪৬ তোমালোকে কিয় মোক
‘প্ৰভু, প্ৰভু’ বুলি মাতা, অথচ মই যি কওঁ তাক পালন নকৰা? ৪৭ যি
কোনোৱে মোৰ ওচৰলৈ আহি মোৰ বাক্য শুনি পালন কৰে, তেওঁ কাৰ
নিচিনা হয়, সেই বিষয়ে মই তোমালোকক জনাওঁ- ৪৮ তেওঁ এনে
এজন মানুহৰ নিচিনা, যি মানুহে ঘৰ সাজোঁতে দকৈ খান্দি শিলৰ
ওপৰত ভেঁটি স্থাপন কৰিলে। পাছত যেতিয়া বান আহিল, তেতিয়া
পানীৰ সোঁত আহি সেই ঘৰত জোৰেৰে আঘাত কৰিলে, কিন্তু তাক
লৰাব নোৱাৰিলে। কিয়নো তাক ভালকৈ সজা হৈছিল। ৪৯ কিন্তু যি
কোনোৱে মোৰ বাক্য শুনি পালন নকৰে, তেওঁ এনে এজন মানুহৰ
নিচিনা যি মানুহে ভেঁটি স্থাপন নকৰাকৈ মাটিৰ ওপৰত ঘৰ সাজে।
পাছত যেতিয়া বান আহিল, তেতিয়া পানীৰ সোঁত আহি সেই ঘৰত
জোৰেৰে আঘাত কৰিলে আৰু তেতিয়াই ঘৰটো ভাঙি গ’ল; তাতে
ঘৰটো সম্পূৰ্ণকৈ ধ্বংস হ’ল।”

**৭** যীচুৱে ক’ব বিচৰা সকলো কথা মানুহবোৰে শুনিব পৰাকৈ কোৱাৰ
পাছত তেওঁ কফৰনাহূম চহৰত সোমাল৷ ২ সেই ঠাইত এজন এশৰ
সেনাপতিৰ প্ৰিয় দাস অসুস্থ হৈ মৰোঁ মৰোঁ অৱস্থাত আছিল৷ ৩ কিন্তু
সেনাপতিয়ে যেতিয়া যীচুৰ বিষয়ে শুনিবলৈ পালে, তেতিয়া অসুস্থ দাস
জনক ৰক্ষা কৰিবৰ বাবে যীচুক অনুৰোধ কৰিবলৈ ইহুদী সকলৰ
কেইজনমান পৰিচাৰকক পঠিয়াই দিলে৷ ৪ তেতিয়া তেওঁলোকে যীচুৰ
ওচৰলৈ আহিল আৰু অতিশয় বিনয় কৰি ক’লে, “যাৰ বাবে আপোনাৰ
ওচৰত আহিছোঁ, তেওঁলৈ আপুনি যেন অনুগ্ৰহ কৰিব; তেওঁ এনে
অনুগ্ৰহ পাবৰ যোগ্য ব্যক্তি৷ ৫ কিয়নো তেওঁ আমাৰ দেশীয় লোকক

প্ৰেম কৰে আৰু নাম-ঘৰটোও তেৱেঁই আমাৰ বাবে সাজি দিলে৷”
৬ তেতিয়া যীচুৱে তেওঁলোকৰ লগত গৈ ঘৰৰ ওচৰ পাওঁতে, সেই
সেনাপতিয়ে বন্ধুবোৰক তেওঁৰ ওচৰত কবলৈ পঠালে যে, “হে প্ৰভু,
নিজকে দুখ নিদিব; কিয়নো আপুনি যে আহি মোৰ ঘৰৰ ভিতৰত
সোমাব, মই এনে যোগ্য নহওঁ; ৭ সেই কাৰণে ময়ো আপোনাৰ
ওচৰলৈ যাবৰ বাবে যোগ্য হৈছোঁ বুলি নাভাবিলোঁ; কিন্তু মাত্ৰ এষাৰ
বাক্য কওক, তাতে মোৰ দাস যেন সুস্থ হ’ব। ৮ কিয়নো মই পৰৰ
ক্ষমতাৰ অধীন মানুহ, মোৰ অধীনতো সেনাবোৰ আছে; মই এজনক
যোৱা বুলিলে, সি যায় আৰু আন এজনক আহা বুলিলে, সি আহে৷ মোৰ
দাসক এইটো কৰ বুলিলে, সি কৰে।” ৯ যীচুৱে এই কথা শুনি অতি
বিস্ময় মানিলে আৰু মুখ ঘূৰাই তেওঁৰ পাছে পাছে ভিৰ কৰি অহা
লোক সকলক ক’লে, “মই তোমালোকক কওঁ, ইস্ৰায়েলৰ মাজতো মই
ইমান বিশ্বাস কোনো এজনৰ পৰা পোৱা নাই।” ১০ পাছত যি সকলক
পঠোৱা হৈছিল, তেওঁলোকে ঘৰলৈ উভতি আহি, সেই দাসক সুস্থ
হোৱা দেখা পালে। ১১ ইয়াৰ কিছুদিনৰ পাছত, যীচু নায়িন নামেৰে
এখন নগৰলৈ গৈ আছিল৷ তাতে তেওঁৰ শিষ্য সকল আৰু এজাক
মানুহৰ এটা দল তেওঁৰ লগত গৈ আছিল। ১২ যেতিয়া তেওঁ গৈ
নগৰৰ দুৱাৰৰ ওচৰ পালে, তেতিয়া এজন মৃত লোকক কিছুমান
মানুহে বাহিৰলৈ কঢ়িয়াই লৈ আহি থকা দেখিলে৷ সেই মৃত লোক জন
আছিল এজনী বিধৱাৰ একমাত্ৰ সন্তান৷ সেই নগৰৰ বহুত লোকে
তেওঁৰ সংগে সংগে আহি আছিল। ১৩ তেতিয়া প্ৰভুৱে তেওঁক দেখি
গভীৰ মৰমত তেওঁৰ ফালে চালে আৰু ক’লে, “তুমি নাকান্দিবা।”
১৪ পাছত তেওঁ ওচৰলৈ গৈ মৰা লোক জনক কঢ়িয়াই নিয়া চাং
খন চুলে; তাতে চাং খন কঢ়িয়াই নিয়া লোক সকল স্থিৰ হৈ পৰিল।
তেতিয়া তেওঁ ক’লে, “হে ডেকা, মই তোমাক ইয়াকে কৈছোঁ, তুমি
উঠা।” ১৫ তেতিয়াই সেই মৃত লোক জন উঠি বহিল আৰু কথা কবলৈ
আৰম্ভ কৰিলে। তেতিয়া যীচুৱে তেওঁক নি, তেওঁৰ মাতৃৰ হাতত তুলি
দিলে। ১৬ ইয়াকে দেখি সকলোৰে ভয় লাগিল আৰু ঈশ্বৰৰ স্তুতি কৰি
তেওঁলোকে কবলৈ ধৰিলে, “আমাৰ মাজত এজন মহান ভাৱবাদী

ওলাল, আৰু ঈশ্বৰে তেওঁৰ মানুহবোৰলৈ দৃষ্টি কৰিলে।” ১৭ পাছত
গোটেই যিহুদীয়াত আৰু ইয়াৰ চাৰিওফালে থকা অঞ্চল সমূহত তেওঁৰ
বিষয়ে এই কথা বিয়পি গ'ল। ১৮ পাছত যোহনৰ শিষ্যবোৰে এই
সকলোবোৰ ঘটনাৰ বিষয়ে যোহনৰ ওচৰত গৈ সম্বাদ দিলে। ১৯
তেতিয়া যোহনে তেওঁৰ দুজন শিষ্যক মাতি আনি প্ৰভুৰ ওচৰত শুধিবৰ
বাবে পঠিয়ালে যে, “আহিব লগা জন আপুনিয়ে নে? নে আমি আন
কোনো এজনৰ বাবে অপেক্ষা কৰি থাকিম?” ২০ তেতিয়া সেই লোক
দুজন যীচুৰ ওচৰলৈ আহিল আৰু ক'লে, “বাপ্তাইজক যোহনে আমাক
আপোনাৰ ওচৰলৈ পঠিয়াইছে আৰু শুধিছে যে, ‘আহিবলগীয়া জন
আপুনিয়েই নে? নে আন কোনো এজনৰ বাবে আমি অপেক্ষা কৰি
থাকিম’?” ২১ সেই সময়ত যীচুৱে অনেক লোকক ৰোগ, মহাব্যাধিৰ
পৰা আৰোগ্য কৰিছিল আৰু ভূতৰ আত্মাৰ পৰা অনেকক মুক্ত কৰিছিল
আৰু অনেক অন্ধক দৃষ্টি পাবলৈ অনুমতি দিছিল। ২২ তেতিয়া তেওঁ
তেওঁলোকক উত্তৰ দি ক'লে, “তোমালোকে যোৱা, আৰু যি দেখিলা,
শুনিলা, সেই বিষয়ৰ সম্বাদ যোহনক দিয়াগৈ; আৰু ক'বা, ‘অন্ধই চকু
পুনৰায় পাইছে, লেঙেৰাই খোজ কাঢ়িছে, কুষ্ঠ ৰোগীক শুচি কৰা
হৈছে, কলাই শুনিছে, মৃত লোকক জীৱন দিয়া হৈছে, দৰিদ্ৰ সকলৰ
আগত শুভবাৰ্তা ঘোষণা কৰা হৈছে, ২৩ আৰু যি জনে মোত বিঘিনি
নাপায়, তেওঁ ধন্য।’” ২৪ পাছত যোহনে পঠোৱা বাৰ্তাবাহক দুজন
যেতিয়া ঘূৰি গ'ল, তেতিয়া যীচুৱে লোক সকলৰ আগত যোহনৰ
বিষয়ে কবলৈ ধৰিলে, “আপোনালোকে কি চাবৰ বাবে মৰুপ্ৰান্তলৈ
ওলাই গৈছিল, বতাহে লৰোৱা নল নে? ২৫ তেনেহলে কি চাবলৈ
গৈছিল, এজন কোমল কাপোৰ পিন্ধা মানুহ নে? চাওক, যি সকলে
উজ্জ্বল বস্ত্ৰ পিন্ধি সুখভোগেৰে জীয়াই থাকে, এনে মান্যৱন্ত লোক
ৰাজভৱনতহে থাকে। ২৬ তেনেহলে কি চাবলৈ গৈছিল, ভাববাদীক
নে? হয়, মই আপোনালোকক কওঁ, ভাৱবাদীতকৈয়ো বহু শ্ৰেষ্ঠ জনক।
২৭ এই জনেই সেই লোক, যাৰ বিষয়ে লিখা হৈছিল- ‘চোৱা, মই
মোৰ বাৰ্তাবাহকক তোমাৰ আগত পঠিয়াইছোঁ, তেওঁ তোমাৰ আগে
আগে গৈ তোমাৰ বাট যুগুত কৰিব৷’ ২৮ মই আপোনালোকক কওঁ,

‘নাৰীৰ পৰা জন্ম পোৱা কোনো লোকৰ মাজত, যোহনতকৈ মহান
কোনো নাই, কিন্তু ঈশ্বৰৰ ৰাজ্যত সৰুতকৈয়ো সৰু জনেই তেওঁতকৈ
মহান’।” ২৯ সকলো মানুহে আৰু কৰ সংগ্ৰহকৰী সকলেও যীচুৰ
কথা শুনি, যোহনৰ বাপ্তিস্মেৰে বাপ্তাইজিত হ’ল আৰু ঈশ্বৰক ধাৰ্মিক
বুলি স্বীকাৰ কৰিলে; ৩০ কিন্তু ফৰীচী আৰু পণ্ডিত সকলে তেওঁৰ
দ্বাৰাই বাপ্তাইজিত নোহোৱাত ঈশ্বৰৰ অভিপ্ৰায় নিজৰ অৰ্থে বিফল
কৰিলে৷ ৩১ “এতেকে এনে ধৰণৰ মানুহবোৰক মই এই যুগৰ কাৰ
লগত তুলনা কৰিম? আৰু তেওঁলোক কাৰ ৩২ যিবোৰ ল’ৰা বজাৰত
বহি থাকি, ইজনে সিজনক মাতি কয়, ‘আমি তোমালোকৰ আগত
বাঁহী বজালো, কিন্তু তোমালোকে নানাচিলা; আমি বিলাপ কৰিলোঁ,
কিন্তু তোমালোকে নাকান্দিলা’; তেওঁলোক এই ল’ৰাবোৰৰ নিচিনা।
৩৩ কিয়নো বাপ্তাইজক যোহনে আহি পিঠা খোৱা নাই আৰু দ্ৰাক্ষাৰসো
পান কৰা নাই; তথাপি আপোনালোকে কয়, ‘তেওঁ ভূতে পোৱা’। ৩৪
মানুহৰ পুত্ৰই আহি, ভোজন-পান কৰে; তেতিয়াও আপোনালোকে
কয়, ‘চোৱা, ই খকুৱা; মদপী, কৰ সংগ্ৰহকৰী আৰু পাপীবোৰৰ বন্ধু’।
৩৫ কিন্তু জ্ঞান, নিজৰ সকলো সন্তানৰ দ্বাৰাই অনিন্দনীয় বুলি প্ৰমাণিত
হৈছে।” ৩৬ এদিন ফৰীচী সকলৰ এজন লোকে যীচুক তেওঁৰ ঘৰত
ভোজন কৰিবলৈ অনুৰোধ কৰিলে৷ সেয়েহে তেওঁ সেই ফৰীচীৰ ঘৰত
সোমাই ভোজনত বহিল। ৩৭ সেই সময়ত নগৰত থকা এজনী পাতকী
তিৰোতাই ফৰীচীৰ ঘৰত তেওঁ ভোজনত বহি থকা বুলি জানিবলৈ
পায়, সুগন্ধি তেলেৰে ভৰা এটা স্ফটিকৰ বটল আনিলে; ৩৮ তাৰ
পাছত তেওঁ যীচুৰ পাছফালে চৰণৰ ওচৰত থিয় হৈ কান্দি কান্দি
চকুলোৰে তেওঁৰ চৰণ তিয়াই মুৰৰ চুলিৰে মচিলে আৰু তেওঁৰ চৰণত
চুমা খাই, সুগন্ধি তেল সানিলে। ৩৯ তেওঁক নিমন্ত্ৰণ কৰা ফৰীচীয়ে
ইয়াকে দেখি নিজৰ মনতে ক’লে, ‘এওঁ ভাববাদী হোৱা হলে, এওঁক
স্পৰ্শ কৰা এইজনী তিৰোতা কোন আৰু এওঁ কেনে তিৰোতা, অৰ্থাৎ
তেওঁ যে পাতকী, ইয়াক তেওঁ জানিলেহেঁতেন’। ৪০ তেতিয়া যীচুৰে
উত্তৰ দি তেওঁক ক’লে, “হে চিমোন, তোমাক মোৰ কিছু কথা কবলৈ
আছে।” তাতে তেওঁ ক’লে, “হে গুৰু, কওক।” ৪১ যীচুৰে ক’লে “এজন

মহাজনৰ দুজন ধৰুৱা আছিল; তাৰ মাজৰ এজনৰ পাঁচ শ দীনাৰী,
এজনৰ পঞ্চাশ দীনাৰী ৰূপ ধাৰ আছিল; ৪২ পাছত ধাৰ শুজিবলৈ
তেওঁলোকৰ একো নথকাত, তেওঁ দুয়োকো ক্ষমা কৰিলে৷ তাৰ পাছত
তেওঁলোকৰ মাজত কোন জনে তেওঁক অধিক প্ৰেম কৰিব?" ৪৩
তেতিয়া চিমোনে উত্তৰ দি ক'লে, "বোধ কৰোঁ, যি জনক অধিক
ক্ষমা কৰিলে, তেৱেঁই।" তেতিয়া যীচুৱে তেওঁক ক'লে, "তুমি সঁচাকৈ
শুদ্ধৰূপে বিচাৰ কৰিলা।" ৪৪ তেতিয়া তেওঁ সেই তিৰোতাৰ ফাললৈ
মুখ ঘূৰাই চিমোনক ক'লে, "এই তিৰোতা জনীক দেখিছা নে? মই
তোমাৰ ঘৰলৈ আহিলোঁ, তুমি মোক ভৰি ধুবলৈ পানী নিদিলা; কিন্তু
তেওঁ চকুলোৰে মোৰ ভৰি তিয়াই, চুলিৰে মচিলে। ৪৫ তুমি মোক
চুমা নাখালা; কিন্তু মই আহিবৰে পৰা তেওঁ মোৰ ভৰিত চুমা খাবলৈ
নেৰিলে। ৪৬ তুমি মোৰ মূৰত তেল নাসানিলা; কিন্তু তেওঁ মোৰ ভৰিত
সুগন্ধি তেল সানিলে; ৪৭ এই হেতুকে মই তোমাক কওঁ, তেওঁৰ পাপ
বহুত হোৱাতো ক্ষমা কৰা হ'ল, কিয়নো তেওঁ অধিক প্ৰেম কৰিলে;
কিন্তু যি জনৰ অলপ ক্ষমা হয়, তেওঁক অলপ প্ৰেম কৰে।" ৪৮ পাছত
তেওঁ সেই তিৰোতাক ক'লে, "তোমাৰ পাপ ক্ষমা হ'ল।" ৪৯ তেতিয়া
তেওঁৰ সৈতে ভোজনত বহি থকা সকলে নিজৰ নিজৰ মাজত কবলৈ
ধৰিলে, "পাপ ক্ষমা কৰিব পৰা এওঁ নো কোন?" ৫০ কিন্তু যীচুৱে
সেই তিৰোতাক ক'লে, "তোমাৰ বিশ্বাসেই তোমাক পৰিত্ৰাণ কৰিলে;
শান্তিৰে যোৱা।"

৮ তাৰ অলপ সময়ৰ পাছত, তেওঁ নগৰে নগৰে আৰু গাৱেঁ গাৱেঁ যাত্ৰা
কৰি ঈশ্বৰৰ ৰাজ্যৰ শুভবাৰ্তা ঘোষণা আৰু প্ৰচাৰ কৰিব ধৰিলে; তেওঁৰ
সৈতে সেই বাৰ জন পাঁচনিও আছিল৷ ২ ইয়াৰ উপৰি ভূতৰ আত্মা
আৰু নৰিয়াৰ পৰা মুক্ত হোৱা কেইজনীমান তিৰোতা, লগতে সাতটা
ভূতৰ কবলৰ পৰা উদ্ধাৰ হোৱা মগ্দলীনী বুলি মতা সেই মৰিয়ম; ৩
আৰু হেৰোদ ৰজাৰ ঘৰগিৰী কূচৰ ভাৰ্যা, যোহানা, আৰু চোচন্না, আৰু
আন আন অনেক মহিলা তেওঁৰ লগত আছিল৷ এই তিৰোতা সকলে
নিজ নিজ সম্পত্তিৰ পৰা তেওঁলোকৰ সেৱা শুশ্ৰূষা কৰিছিল। ৪ সেই
সময়ত বিভিন্ন চহৰৰ পৰা দলে দলে মানুহবোৰ আহি যীচুৰ ওচৰত

একগোট হৈছিল৷ তেতিয়া তেওঁ উপদেশ দিব ধৰোতে, এই দৃষ্টান্ত দি
ক’লে, “এজন খেতিয়কে বীজ সিচিঁবলৈ গ’ল; ৫ তাতে বীজ সিচাঁৰ
সময়ত, কিছুমান বীজ বাটৰ কাষত পৰিল; তেতিয়া ভৰিৰে গচকা
হ’ল আৰু আকাশৰ চৰাইবোৰে সেইবোৰ খুঁটি খালে। ৬ কিছুমান
শিলনিত পৰিল; তাতে গজালি মেলি গছৰ পুলি হৈ বাঢ়িল, কিন্তু সেই
ঠাই জীপাল নোহোৱা বাবে পুলিবোৰ শুকাই গ’ল। ৭ কিছুমান বীজ
কাঁইটৰ মাজত পৰিল; তাতে কাঁইটীয়া বন তাৰ লগত বাঢ়ি, হেচি ধৰি
মাৰিলে। ৮ কিন্তু কিছুমান বীজ ভাল মাটিত পৰিল, তাতে সেইবোৰ
গজালি মেলি গছ হৈ বাঢ়ি এশ গুণ গুটি ধৰিলে৷” এইবোৰ কথা কোৱাৰ
পাছত, তেওঁ বৰ মাতেৰে ক’লে, “যি জনৰ শুনিবলৈ কাণ আছে,
তেওঁ শুনক৷” ৯ পাছত তেওঁৰ শিষ্যবোৰে আহি সুধিলে, “এই দৃষ্টান্তৰ
অৰ্থ কি হব পাৰে?” ১০ তাতে তেওঁ ক’লে, “ঈশ্বৰৰ ৰাজ্যৰ গোপন
ৰহস্যবোৰ জানিবলৈ তোমালোকক অগ্ৰাধিকাৰ দিয়া হৈছে, কিন্তু আন
লোক সকলক দৃষ্টান্তৰেহে কেৱল শিক্ষা দিয়া হব, কাৰণ তেওঁলোকে
দেখিও নেদেখে আৰু শুনিও তেওঁলোকে নুবুজে৷ ১১ দৃষ্টান্তটোৰ অৰ্থ
এই; বীজেই ঈশ্বৰৰ বাক্য। ১২ বাটৰ কাষত যি বীজবোৰ পৰিছিল,
সেইবোৰ শুনা লোক সকল; তাতে চয়তানে আহি তেওঁলোকৰ মনৰ
পৰা বাক্যবোৰ কাঢ়ি লৈ যায়, যাতে তেওঁলোকে বিশ্বাস নকৰে আৰু
পৰিত্ৰাণো নাপায়৷। ১৩ আৰু শিলনিত যি পৰিল, সেইবোৰ বাক্য শুনি
আনন্দেৰে গ্ৰহণ কৰা মানুহ; এওঁলোকৰ শিপা নথকাত, এওঁলোকে
অলপ সময় বিশ্বাসত থাকে, পাছত পৰীক্ষাৰ সময় আহিলে খহি পৰে।
১৪ আৰু যিবোৰ বীজ কাঁইটনিত পৰিল, সেয়ে হৈছে, যি সকলৰ শুনাৰ
পাছত আয়ুসৰ কাল নিয়াঁওতে, জীৱনৰ চিন্তা, ধন, সম্পত্তি আৰু সুখত
মগ্ন হোৱাত, এওঁলোকৰ একো ফল সিদ্ধ নহয়। ১৫ কিন্তু ভাল মাটিত
পৰা বীজবোৰ হ’ল এনেকুৱা মানুহ, তেওঁলোকে বাক্য শুনি সৰল আৰু
শুদ্ধৰূপে মনত ৰাখে আৰু সেই বাক্যত স্থিৰ হৈধৈৰ্যৰে ফল উৎপন্ন
কৰে। ১৬ কোনেও চাকি লগাই পাত্ৰেৰে ঢাকি নথয় বা বিচনাৰ তলত
নথয়; কিন্তু ভিতৰলৈ অহা সকলে পোহৰ দেখিবলৈ গছাৰ ওপৰতহে
থয়। ১৭ কিয়নো যি প্ৰকাশিত নহ’ব, এনে কোনো লুকুৱাই থোৱা

বস্তু নাই; আৰু যিহক জনা নহ'ব, আৰু যি অপ্ৰকাশিত হৈ থাকিব,
এনে কোনো গুপুত বস্তু নাই। ১৮ এতেকে আপোনালোকে কিদৰে
শুনিছে সেয়া বিবেচনা কৰিব; কিয়নো যিয়ে শুনিছে, তেখেতক পুণৰ
দিয়া হ'ব; কিন্তু যিয়ে শুনা নাই, তেখেতে যি আছে বুলি নিজে ভাবে,
সেয়াও তেখেতৰ পৰা নিয়া হ'ব।" ১৯ সেই সময়ত যীচুৰ মাক আৰু
ভায়েক সকল তেওঁৰ ওচৰলৈ আহিছিল; কিন্তু লোক সকলৰ কাৰণে
তেওঁৰ সৈতে সাক্ষাৎ কৰিব নোৱাৰিলে। ২০ তেতিয়া তেওঁক এই
সম্বাদ দিয়া হ'ল যে, "আপোনাৰ আই আৰু ভাই সকলে আপোনাক
দেখা পোৱাৰ ইচ্ছাৰে বাহিৰত থিয় হৈ আছে।" ২১ কিন্তু তেওঁ উত্তৰ
দি তেওঁলোকক ক'লে, "যি সকলে ঈশ্বৰৰ বাক্য শুনি পালন কৰে,
তেওঁলোকেই মোৰ আই আৰু মোৰ ভাই।" ২২ পাছত এদিন যীচুৱে
শিষ্যবোৰৰ সৈতে এখন নাৱত উঠি, তেওঁলোকক ক'লে, "আহা,
আমি সৰোবৰৰ সিপাৰলৈ যাওঁ।" তেতিয়া তেওঁলোকে নাও মেলি
সিপাৰলৈ গ'ল। ২৩ কিন্তু যাওঁতে যাওঁতে, তেওঁৰ টোপনি আহিল;
আৰু সেই সময়তে সৰোবৰত ধুমুহা বতাহ বলিবলৈ ধৰিলে, তাতে
ঢৌত পানী সোমাই থকাত, তেওঁলোক সঙ্কটত পৰিল। ২৪ তেতিয়া
তেওঁলোকে যীচুৰ ওচৰলৈ গৈ তেওঁক জগাই ক'লে "হে নাথ, হে
নাথ, আমি এতিয়া মৰোঁহে।" তেতিয়া তেওঁ সাৰ পাই, বতাহ আৰু
পানীৰ ঢৌক ডবিয়ালে; লগে লগে বতাহ আৰু ঢৌ ক্ষান্ত হ'ল আৰু
সকলোবোৰ শান্ত হৈ পৰিল। ২৫ তেতিয়া যীচুৱে তেওঁলোকক ক'লে,
"তোমালোকৰ বিশ্বাস ক'ত?" তেতিয়া তেওঁলোকে ভয়াতুৰ হৈ, বিস্ময়
মানি ইজনে সিজনক ক'লে, "এওঁ নো কোন? বতাহ আৰু পানীকো
আজ্ঞা দিয়াত সেইবোৰেও এওঁৰ কথা মানে!" ২৬ পাছত তেওঁলোকে
গালীল প্ৰদেশৰ সন্মুখত থকা গেৰাচেনীয়া সকলৰ দেশ পালেগৈ।
২৭ তাতে যীচুৱে বামত উঠোতে, নগৰৰ এটা ভূতে পোৱা মানুহ
তেওঁৰ আগত উপস্থিত হ'ল৷ সি বহু দিনৰ পৰা কাপোৰ পিন্ধা নাছিল
আৰু ঘৰতো থকা নাছিল কিন্তু মৈদামবোৰতহে থাকিছিল। ২৮ সি
যীচুক দেখাৰ লগে লগে কান্দিব ধৰিলে আৰু তেওঁৰ সন্মূখতে পৰিল৷
পাছত বৰ মাতেৰে ক'ব ধৰিলে, "হে সৰ্ব্বোপৰি ঈশ্বৰৰ পুত্ৰ যীচু,

আপোনাৰ লগত মোৰ কি কাম? মই মিনতি কৰিছোঁ, মোক যাতনা
নিদিব।” ২৯ কিয়নো সেই মানুহৰ পৰা ওলাই যাবলৈ তেওঁ অশুচি
আত্মাক আদেশ দিছিল; কিয়নো সেই অশুচি আত্মাই মানুহ জনক
বহু দিনৰ পৰা ধৰি আছিল৷ মানুহ জনক শিকলি আৰু বেৰীৰে বান্ধি
ৰাখিছিল আৰু পহৰাও দি থকা হৈছিল; কিন্তু সি বান্ধ ছিগি, ভূতৰ
দ্বাৰাই চালিত হৈ নিৰ্জন ঠাইলৈ আহি আছিল। ৩০ তেতিয়া যীচুৱে তাক
সুধিলে, “তোৰ নাম কি?” তেতিয়া সি ক’লে, “বাহিনী”; কিয়নো তাৰ
ভিতৰত অনেক ভূত সোমাই আছিল। ৩১ পাছত সেই ভূতহঁতক অগাধ
ঠাইলৈ যাবৰ বাবে আজ্ঞা নিদিবলৈ ভূতবোৰে তেওঁক বিনয় কৰিলে।
(Abyssos g12) ৩২ সেই সময়ত পৰ্বতত এজাক গাহৰি চৰি আছিল৷
তেতিয়া ভূতবোৰে সেই গাহৰিবোৰৰ ভিতৰত সোমাবলৈ অনুমতি
বিচাৰি যীচুক মিনতি কৰিলে৷ তেতিয়া যীচুৱে তেনেদৰেই সিহঁতক
অনুমতি দিলে৷ ৩৩ সেই সময়তেই মানুহ জনৰ পৰা ভূতবোৰ ওলাই,
গাহৰিবোৰৰ ভিতৰত সোমাল আৰু লগে লগে গাহৰি জাক লৰি গৈ,
গৰাৰ পৰা সৰোবৰত পৰি মৰিল। ৩৪ এই ঘটনা দেখি ৰখীয়াবোৰে
পলাই গৈ নগৰ আৰু গাৱেঁ-ভুয়ে সম্বাদ দিলে। ৩৫ তেতিয়া মানুহবোৰে
এই ঘটনা চাবলৈ ওলাই আহিল আৰু যীচুৰ ওচৰলৈ আহি দেখিলে যে,
যি মানুহ জনৰ পৰা ভূত ওলাই গৈছিল, সি কাপোৰ পিন্ধি সচেতন
আৰু জ্ঞান পোৱা হৈ যীচুৰ চৰণৰ ওচৰত বহি আছে৷ ইয়াকে দেখি
আটাইলোকে ভয় কৰিলে। ৩৬ আৰু সেই ভূতে পোৱা লোক জনে
কেনেকৈ ৰক্ষা পালে, দেখাবোৰে সেই বিষয়ে আনবোৰ লোকৰ আগত
ক’লে। ৩৭ তেতিয়া গেৰাচেনীয়া সকলৰ দেশৰ চাৰিওফালৰ মানুহে
আহি তেওঁলোকৰ ওচৰৰ পৰা আতৰি যাবলৈ যীচুক অনুৰোধ কৰিলে;
কিয়নো তেওঁলোকৰ বৰ ভয় লাগিছিল। ৩৮ সেয়েহে তেওঁ নাৱত
উঠি, উলটি গ’ল। তেতিয়া যি মানুহৰ পৰা ভূত ওলাই গ’ল, সি
তেওঁৰ লগত থাকিবলৈ মিনতি কৰিলে; কিন্তু তেওঁ তাক পঠিয়াই দি
ক’লে, ৩৯ “তোমাৰ ঘৰলৈ যোৱা, ঈশ্বৰে তোমাৰ জীৱনলৈ কেনে
মহৎ কৰ্ম কৰিলে, সেই বিষয়ে বৰ্ণনা কৰাগৈ।” তেতিয়া সি তাৰ পৰা
গৈ, যীচুৱে তালৈ যি মহৎ কৰ্ম কৰিলে, সেই বিষয়ে গোটেই খন

নগৰত ঘোষণা কৰিব ধৰিলে। ৪০ পাছত যীচু ঘূৰি আহোতে, লোক
সকলে তেওঁক আদৰেৰে গ্ৰহণ কৰিলে; কিয়নো তেওঁলৈ সকলোৱে
অপেক্ষা কৰি আছিল। ৪১ আৰু সেই ঠাইৰ নাম-ঘৰৰ যায়ীৰ নামেৰে
এজন অধিকাৰীয়ে আহি যীচুৰ চৰণত পৰিল আৰু তেওঁৰ ঘৰলৈ যাবৰ
বাবে তেওঁক বিনয় কৰিলে; ৪২ কিয়নো তেওঁৰ মাথোন এজনী বাৰ
বছৰীয়া জীয়েক আছিল আৰু তায়ো মৰোঁ মৰোঁ হৈ আছিল। তাতে
তেওঁ আহোতে, লোক সকল তেওঁৰ ওচৰত ভিৰ লাগি আছিল৷ ৪৩
সেই ভিৰৰ মাজত বাৰ বছৰ ধৰি তেজ যোৱা ৰোগ ভোগ কৰি থকা
এজনী তিৰোতা আছিল৷ তেওঁ চিকিৎসকৰ ওচৰত গৈ, সৰ্ব্বস্ব ধন,
সম্পত্তি ব্যয় কৰিও সুস্থ হোৱা নাছিল৷ ৪৪ সেই জনী তিৰোতাই যীচুৰ
পাছফালেদি আহি, তেওঁৰ কাপোৰৰ দহি চুই দিলে আৰু তেওঁৰ তেজ
যোৱা তেতিয়াই বন্ধ হৈ গ'ল। ৪৫ তাতে যীচুৱে ক'লে, "মোক কোনে
চুলে?" তেতিয়া সকলোৱে স্পৰ্শ নকৰা বুলি কোৱাত পিতৰ আৰু
তেওঁৰ লগত যোৱা সকলে ক'লে, "হে নাথ, লোক সকলে আপোনাক
বেৰি ধৰি, হেচি-মেলি ভিৰ কৰি ৰাখিছে।" ৪৬ কিন্তু যীচুৱে ক'লে,
"কোনোবাই মোক চুলে; কিয়নো মোৰ পৰা শক্তি ওলাই যোৱা মই
গম পালোঁ।" ৪৭ তাতে সেই তিৰোতা জনীয়ে দেখিলে যে, তেওঁলৈ
ঘটি যোৱা ঘটনাটো কোনো কাৰণত গুপুত কৰি ৰাখিব নোৱাৰিব৷
তেতিয়া তেওঁ কঁপি কঁপি আহি যীচুৰ সন্মুখত উবুৰি হৈ পৰিল আৰু
কিয় তেওঁক চুইছিল আৰু কেনেকৈ মুহুৰ্ত্তে সুস্থ হ'ল; সেই বিষয়ে
সকলোৰ আগত ক'লে। ৪৮ তেতিয়া যীচুৱে তেওঁক ক'লে, "আইটি,
তোমাৰ বিশ্বাসেই তোমাক সুস্থ কৰিলে; শান্তিৰে যোৱা।" ৪৯ তেওঁ
এই কথা কৈ থাকোতেই, নাম-ঘৰৰ অধিকাৰী জনৰ ঘৰৰ পৰা কোনো
এজনে আহি তেওঁক ক'লে, "তোমাৰ জীয়েৰা মৰিল; গুৰুক পুনৰ
দুখ নিদিবা।" ৫০ কিন্তু যীচুৱে সেই কথা শুনি তেওঁক উত্তৰ দিলে,
"ভয় নকৰিবা; বিশ্বাস মাথোন কৰা আৰুতাতেই তাই ৰক্ষা পৰিব।"
৫১ পাছত ঘৰলৈ আহি, পিতৰ, যোহন, যাকোব, আৰু ছোৱালীৰ
মাক-দেউতাকৰ বাহিৰে, কোনো এজনকে তেওঁৰ লগত সোমাবলৈ
নিদিলে। ৫২ আৰু সকলোৱে সেই সময়ত তাইৰ কাৰণে কান্দি কান্দি

হিয়া ভুকুৱাই আছিল। কিন্তু তেওঁ ক'লে, "তোমালোকে নাকান্দিবা;
তাই মৰা নাই, তাই মাত্র টোপনিতহে আছে।" ৫৩ কিন্তু তাই মৰিল
বুলি তেওঁলোকে জানি তেওঁক হাঁহিলে। ৫৪ কিন্তু তেওঁ তাইৰ হাতত
ধৰি, মাতি ক'লে, "আইটি, উঠা।" ৫৫ তেতিয়াই তাইৰ প্ৰাণ উভতি
আহিল আৰু তাই উঠি বহিল৷ তেতিয়া তাইক খাবলৈ দিবৰ বাবে যীচুৱে
আদেশ দিলে৷ ৫৬ তাতে তাইৰ মাক-দেউতাকে বিস্ময় মানিলে; কিন্তু
এই ঘটনাৰ কথা কাকো নকবলৈ তেওঁ তেওঁলোকক আদেশ দিলে।

**৯** পাছত যীচুৱে তেওঁৰ বাৰ জন পাঁচনিক একেলগে মাতি সকলো
ভূতৰ ওপৰত ক্ষমতা আৰু ৰোগ সুস্থ কৰিবলৈকো শক্তি আৰু ক্ষমতা
দিলে৷ ২ ঈশ্বৰৰ ৰাজ্যৰ কথা ঘোষণা কৰিবলৈ আৰু অসুস্থ লোক
সকলক সুস্থ কৰিবলৈ তেওঁলোকক পঠিয়ালে৷ ৩ তেওঁ তেওঁলোকক
ক'লে, "যাত্ৰাৰ কাৰণে কোনো বস্তু নলবা; লাখুটি বা মোনা, বা পিঠা
বা ধন; বা দুটাকৈ চোলাও নলবা; ৪ আৰু তোমালোকে যি ঘৰত
সোমোৱা, তাতে থাকিবা আৰু তাৰ পৰাই ওলাই যাবা। ৫ আৰু যিবোৰ
মানুহে তোমালোকক গ্ৰহণ নকৰে, তেওঁলোকৰ নগৰৰ পৰা ওলাই
যাওঁতে, সেই লোকবোৰৰ বিপক্ষে প্ৰমাণ স্বৰূপে তোমালোকে ভৰিৰ
ধূলি জোকাৰি পেলাবা।" ৬ পাছত তেওঁলোকে ওলাই গৈ গাৱেঁ গাৱেঁ
শুভবাৰ্তা ঘোষণা কৰিলে আৰু সকলো ঠাইতে ৰোগী সকলক সুস্থ কৰি
গ'ল। ৭ সেই সময়ত হেৰোদ ৰজাই এই ঘটনাবোৰৰ বাৰ্তা পাই
নিজ মনত অশান্তি পালে; কিয়নো কিছুলোকে কৈছিল যে যোহন মৃত
সকলৰ মাজৰ পৰা জীৱিত হ'ল, ৮ আৰু আন কিছুমান লোকে কব
ধৰিলে যে, "এলিয়া পুণৰ আবিৰ্ভূত হৈছে" আৰু কিছুমানে ক'লে যে,
"পূৰ্বকালৰ ভাববাদী সকলৰ মাজৰ কোনো এজন পুনৰাই জীয়াই
উঠিছে৷" ৯ হেৰোদে ক'লে "মই যোহনৰ মুণ্ডচ্ছেদ কৰিলোঁ; কিন্তু এওঁ
নো কোন যাৰ বিষয়ে এনে কথা শুনি আছোঁ?" তাতে তেওঁ যীচুক
চাবলৈ এটা উপায় বিচাৰিলে। ১০ পাছত যি পাঁচনি সকলক পঠোৱা
হৈছিল তেওঁলোকে ঘূৰি আহি, যি যি কৰ্ম কৰিছিল সেই সকলোবোৰ
কথা যীচুৰ আগত বৰ্ণনা কৰিলে। তেতিয়া তেওঁ তেওঁলোকক লগত লৈ
বৈৎ-চৈদা নামেৰে এখন নগৰৰ ফালে কোনোৱে নজনাকৈ আতৰি

গ'ল। ১১ কিন্তু লোক সকলে সেই কথা জানি, তেওঁৰ পাছে পাছে গ'ল৷
তেতিয়া যীচুৱেও তেওঁলোকক আনন্দেৰে গ্ৰহণ কৰি, ঈশ্বৰৰ ৰাজ্যৰ
বিষয়ে প্ৰচাৰ কৰিলে আৰু যি সকল লোকৰ সুস্থ হবলৈ প্ৰয়োজন
আছিল, তেওঁলোকক সুস্থ কৰিলে। ১২ দিনৰ প্ৰায় শেষ ভাগত বাৰ
জন পাঁচনি তেওঁৰ ওচৰলৈ আহি ক'লে, "আমি যি ঠাইত আহি আছোঁ
সেয়া অতি নিৰ্জন ঠাই৷ সেয়েহে লোক সকলক বিদায় দিয়ক, তেতিয়া
তেওঁলোকে ওচৰৰ গাওঁত গৈ নিজৰ বাবে থকা ঠাই আৰু খোৱা
বস্তু যোগাৰ কৰি লব পাৰিব৷" ১৩ কিন্তু যীচুৱে তেওঁলোকক ক'লে,
"তোমালোকেই তেওঁলোকক খাবলৈ দিয়া।" তেতিয়া তেওঁলোকে
ক'লে, "আমি গৈ খোৱা বস্তু কিনি নানিলে, আমাৰ ওচৰত পাঁচটা পিঠা
আৰু দুটা মাছতকৈ অধিক একোৱে নাই৷" ১৪ কিয়নো তেওঁলোক
প্ৰায় পাঁচ হাজাৰ মানুহ আছিল। তেতিয়া তেওঁ শিষ্য সকলক ক'লে,
"তেওঁলোকক গোট গোট কৰি পঞ্চাশ জন পঞ্চাশ জনকৈ বহিবলৈ
দিয়া।" ১৫ তেতিয়া তেওঁলোকে আতাইকে তেনেদৰেই বহিবলৈ
দিলে। ১৬ যীচুৱে সেই পাঁচটা পিঠা আৰু দুটা মাছ হাতত লৈ, স্বৰ্গলৈ
চাই সেইবোৰক আশীৰ্বাদ কৰিলে আৰু লোক সকলৰ আগত বিলাই
দিবলৈ, তেওঁ ভাঙি ভাঙি শিষ্য সকলক দিলে। ১৭ তাতে তেওঁলোক
সকলোৱে খাই তৃপ্ত হ'ল। পাছত সকলোৰে খোৱা শেষ হোৱাত
বস্তুবোৰৰ ৰৈ যোৱা টুকুৰা বাৰটা পাচিত ভৰোৱা হ'ল। ১৮ এদিন
যীচুৱে নিৰ্জন ঠাইত প্ৰাৰ্থনা কৰা সময়ত শিষ্য সকলো তেওঁৰ লগত
আছিল, সেই সময়ত তেওঁ শিষ্য সকলক সুধিলে, "লোক সকলে
মোক কোন বুলি কয়?" ১৯ তেতিয়া তেওঁলোকে উত্তৰ দি ক'লে,
"যোহন বাপ্তাইজক, কিন্তু আন কিছুমানে এলিয়া বুলি ভাৱে, আন
কিছুমানে পূৰ্বকালৰ ভাববাদী সকলৰ কোনো এজন পুনৰায় জীৱিত
হৈ উঠা লোক বুলি ভাবে।" ২০ তেতিয়া যীচুৱে তেওঁলোকক সুধিলে,
"কিন্তু তোমালোকে নো মোক কোন বুলি ভাবা?" তাতে পিতৰে উত্তৰ
দি ক'লে, "ঈশ্বৰৰ অভিষিক্ত, খ্ৰীষ্ট।" ২১ তেতিয়া এই কথা কাকো
নকবলৈ তেওঁ তেওঁলোকক সাৱধান কৰি আদেশ দিলে; ২২ আৰু
তেওঁ ক'লে, "মানুহৰ পুত্ৰই অনেক দুখ ভোগ কৰিব লাগিব আৰু

পৰিচাৰক, প্ৰধান পুৰোহিত আৰু বিধানৰ অধ্যাপক সকলৰ দ্বাৰাই
তেওঁ অগ্ৰাহ্য আৰু হত হৈ তৃতীয় দিনা উত্থিত হব লাগিব।" ২৩ যীচুৱে
সকলোৰে আগত ক'লে, "কোনোৱে যদি মোৰ পাছত আহিবলৈ ইচ্ছা
কৰে, তেনেহলে তেওঁ নিজেই নিজকে অস্বীকাৰ কৰিব লাগিবআৰু
দিনে দিনে নিজৰ ক্ৰুচ তুলি লৈ, মোৰ পাছে পাছে আহিব লাগিব। ২৪
কিয়নো যি কোনোৱে নিজৰ জীৱন ৰক্ষা কৰিব খোজে, তেওঁ তাক
হেৰুৱাব; কিন্তু যি কোনোৱে মোৰ কাৰণে নিজৰ জীৱন হেৰুৱায়,
তেওঁহে তাক ৰক্ষা কৰিব। ২৫ কাৰণ কোনো মানুহে গোটেই খন জগত
পায়ো নিজকে নিজে যদি হেৰুৱায় বা হানি কৰে তেনেহলে তেওঁৰ কি
লাভ? ২৬ কিয়নো যি কোনোৱে মোক আৰু মোৰ বাক্যত লাজ পায়,
মানুহৰ পুত্ৰই যেতিয়া নিজৰ পিতৃ আৰু পবিত্ৰ দূতৰ প্ৰতাপেৰে আহিব,
তেতিয়া তেওঁ সেই লোকক লাজ দিব। ২৭ কিন্তু মই তোমালোকক
সত্যকৈ কওঁ, ইয়াতে থিয় হৈ থকা লোক সকলৰ মাজতে কিছুমান
লোক আছে, যি সকলে ঈশ্বৰৰ ৰাজ্য নেদেখালৈ মৃত্যুৰ সোৱাদ
নাপাব৷" ২৮ এই কথা কোৱাৰ আঠ দিন মানৰ পাছত, তেওঁ পিতৰ,
যোহন আৰু যাকোবক লগত লৈ, প্ৰাৰ্থনা কৰিবলৈ পৰ্বতৰ ওপৰলৈ
গ'ল। ২৯ তাতে প্ৰাৰ্থনা কৰোঁতে তেওঁৰ মুখমণ্ডলৰ সৌন্দৰ্য্যই অন্যৰূপ
ললে আৰু তেওঁৰ কাপোৰবোৰ বগা আৰু চক্‌মকীয়া হ'ল। ৩০ সেই
সময়ত দুজন মানুহে তেওঁৰ সৈতে কথা-বাৰ্ত্তা কৰি থকা তেওঁলোকে
দেখিলে, তেওঁলোক মোচি আৰু এলিয়া আছিল; ৩১ তেওঁলোকক
প্ৰতাপযুক্ত দেখা গৈছিল৷ তেওঁলোকে ঈশ্বৰৰ পৰিকল্পনা অনুসাৰে
যীচুৱে কেনেদৰে যিৰূচালেমত মৃত্যুবৰণ কৰিব, সেই বিষয়ে কথা
পাতি আছিল। ৩২ তেতিয়া পিতৰ আৰু তেওঁৰ লগত যোৱা কেইজনৰ
বৰ টোপনি ধৰিছিল; তথাপি জাগি থাকি, তেওঁৰ মহিমা আৰু তেওঁৰ
ওচৰত থকা সেই দুজন মানুহক দেখা পালে। ৩৩ তাতে তেওঁলোক
তেওঁৰ ওচৰৰ পৰা যাবলৈ ধৰোতে, পিতৰে যীচুক ক'লে, "হে নাথ,
ইয়াত থকা আমাৰ ভাল; আৰু আমি আপোনালৈ এটা, মোচিলৈ এটা,
আৰু এলিয়ালৈ এটা, এনেদৰে তিনিটা পঁজা সাজোঁ৷" পিতৰে যি
কথা কৈছিল সেই বিষয়ে তেওঁৰ কোনো জ্ঞান নাছিল৷ ৩৪ এই কথা

কওঁতেই, এচমকা মেঘ আহি তেওঁলোকক ছাঁ কৰি ধৰিলে; তাতে মেঘ
চাৰিওফালেদি সোমাওঁতে, তেওঁলোকৰ ভয় লাগিল। ৩৫ তেতিয়া সেই
মেঘৰ পৰা এই বাণী শুনিলে, “এওঁ মোৰ প্ৰিয় পুত্ৰ, মোৰ মনোনীত
জন, এওঁৰ কথা শুনা।” ৩৬ সেই বাণী হোৱা মাত্ৰে, যীচুক অকলে
দেখা গ’ল আৰু তেওঁলোকে সেই সময়ত যি যি দেখিছিল, নীৰৱে থাকি
কাকো একো কথা কোৱা নাছিল৷ ৩৭ তাৰ পাছদিনা তেওঁলোক পৰ্বতৰ
পৰা নমাৰ পাছত বহু মানুহৰ এটা দল তেওঁৰ আগত উপস্থিত হ’ল।
৩৮ সেই সময়ত মানুহবোৰৰ মাজৰ পৰা এজনে ৰিঙিয়াই ক’লে,
“হে গুৰু, মই মিনতি কৰোঁ, মোৰ ল’ৰালৈ দৃষ্টি কৰক; কিয়নো সি
মোৰ একেটি ল’ৰা। ৩৯ আৰু চাওক, ভূতৰ আত্মাই তাক ধৰোতে সি
অকস্মাতে আটাহ পাৰে আৰু তাক মুচৰিলে মুখৰ পৰা ফেন ওলায়
আৰু তাক আঘাত কৰি বৰ কষ্টেৰে এৰি যায়। ৪০ মই সেই অশুচি
আত্মাক খেদাবলৈ আপোনাৰ শিষ্য সকলক মিনতি কৰিলোঁ, কিন্তু
তেওঁলোকে নোৱাৰিলে।” ৪১ তেতিয়া যীচুৱে উত্তৰ দি ক’লে, “হে
অবিশ্বাসী আৰু অপথে যোৱা বংশ, মই কিমান কাল তোমালোকৰ
লগত থাকি তোমালোকক সহিম? তোমাৰ ল’ৰা জনক ইয়ালৈ আনা।”
৪২ তাতে সি আহোতেই ভূতে তাক আছাৰ মাৰি পেলাই বৰকৈ
মুচৰিলে। কিন্তু যীচুৱে সেই অশুচি আত্মাক ডবিয়াই খেদিলে আৰু
ল’ৰা জনক সুস্থ কৰি বাপেকৰ হাতত শোধাই দিলে। ৪৩ তাতে ঈশ্বৰৰ
মাহাত্ম্য দেখি সকলোৱে বিস্ময় মানিলে; কিন্তু তেওঁ কৰা কৰ্মবোৰত
লোক সকলে বিস্ময় মানি থাকোঁতে, তেওঁ শিষ্য সকলক ক’লে, ৪৪
“এই সকলো কথা তোমালোকে মনত ৰাখিবা; কিয়নো মানুহৰ পুত্ৰক
মানুহবোৰৰ হাতত শোধাই দিয়া হ’ব।” ৪৫ কিন্তু তেওঁলোকে সেই
কথা নুবুজিলে আৰু বুজি নাপাবলৈ সেই বিষয়ক তেওঁলোকৰ পৰা
গুপুতে ৰখা হ’ল৷ তেওঁলোকে সেই কথাৰ বিষয়ে যীচুক সুধিবলৈও
ভয় কৰিলে। ৪৬ পাছত তেওঁলোকৰ মাজত কোন শ্ৰেষ্ঠ এই কথাক
লৈ তেওঁলোকৰ বাদ-বিচাৰ হৈছিল। ৪৭ কিন্তু যীচুৱে তেওঁলোকৰ
মনৰ বিবেচনা বুজি পোৱাত সৰু ল’ৰা এজনক নিজৰ কাষত বহুৱাই
ল’লে৷ ৪৮ তাৰ পাছত তেওঁলোকক ক’লে, “যি কোনোৱে এই ল’ৰা

জনক মোৰ নামেৰে গ্ৰহণ কৰে, তেওঁ মোকে গ্ৰহণ কৰে আৰু যি
কোনোৱে মোক গ্ৰহণ কৰে, তেওঁ মোক পঠোৱা জনকো গ্ৰহণ কৰে৷
কিয়নো তোমালোকৰ সকলোৰে মাজত যি জন আটাইতকৈ সৰু
সেই জনেই মহান।" ৪৯ পাছত যোহনে মাত লগাই ক'লে, "হে নাথ,
আমি এজনক আপোনাৰ নামেৰে ভূতবোৰক খেদোৱা দেখিলোঁ; কিন্তু
তেওঁ আমাৰ লগত আপোনাৰ পাছে পাছে অহা নাই কাৰণে আমি
তেওঁক নিষেধ কৰিলোঁ।" ৫০ তেতিয়া যীচুৱে তেওঁক ক'লে, "তেওঁক
নিষেধ নকৰিবা; কিয়নো যি জন তোমালোকৰ বিপক্ষ নহয়, তেওঁ
তোমালোকৰ সপক্ষ।" ৫১ পাছত যীচুৰ স্বৰ্গলৈ যোৱাৰ সময় প্ৰায় পূৰ্ণ
হোৱাৰ অৱস্থাত, তেওঁ যিৰূচালেমলৈ যাবৰ বাবে মনস্থ কৰিলে৷ ৫২
তেওঁ সেই ঠাই গৈ পোৱাৰ আগেয়ে কিছুমান বাৰ্তাবাহকক পঠালে,
তেওঁলোকে যীচুৰ কাৰণে সকলোবোৰ যুগুত কৰিবলৈ চমৰীয়া সকলৰ
এখন গাঁৱত সোমাল। ৫৩ কিন্তু তেওঁ যিৰূচালেমলৈ যাবৰ বাবে মন
স্থিৰ কৰাত, সেই ঠাইৰ লোক সকলে তেওঁক গ্ৰহণ নকৰিলে। ৫৪
ইয়াকে দেখি যাকোব আৰু যোহন নামৰ এই দুজন শিষ্যই কলে, "হে
প্ৰভু, স্বৰ্গৰ পৰা জুই ওলাই আহি সিহঁতক যেন ভস্ম কৰে, আমি এনে
আজ্ঞা দিবলৈ আপুনি ইচ্ছা কৰে নে?" ৫৫ কিন্তু তেওঁ মুখ ঘূৰালে আৰু
তেওঁলোকক ডবিয়াই দিলে। ৫৬ তাৰ পাছত তেওঁলোক আন এখন
গাঁৱলৈ গ'ল। ৫৭ তেওঁলোকে বাটত যাওঁতে, এজন মানুহে যীচুক
ক'লে, "আপুনি য'লৈকে যায় ত'লৈকে ময়ো আপোনাৰ পাছে পাছে
যাম।" ৫৮ যীচুৱে তেওঁক ক'লে, "শিয়ালৰ গাত আছে আৰু আকাশৰ
চৰাইৰো বাহ আছে কিন্তু মানুহৰ পুত্ৰৰ মূৰ থবলৈ কোনো ঠাই নাই।"
৫৯ পাছত যীচুৱে আন এজনক ক'লে, "তুমি মোৰ পাছে পাছে আহা।"
কিন্তু তেওঁ ক'লে, "হে প্ৰভু, প্ৰথমতে গৈ মোৰ পিতৃক মৈদাম দিবলৈ
অনুমতি দিয়ক৷" ৬০ তেতিয়া তেওঁ সেই মানুহ জনক কলে, "মৃতবোৰে
নিজৰ নিজৰ মৃতবোৰক মৈদাম দিয়ক কিন্তু তুমি গৈ ঈশ্বৰৰ ৰাজ্যৰ
কথা ঘোষণা কৰা।" ৬১ আন এজনে ক'লে, "হে প্ৰভু, ময়ো আপোনাৰ
পাছে পাছে যাম কিন্তু প্ৰথমতে মোৰ ঘৰৰ মানুহবোৰৰ পৰা বিদায়
লবলৈ মোক অনুমতি দিয়ক।" ৬২ যীচুৱে তেওঁক ক'লে, "যি কোনোৱে

নাঙলত হাত থৈ পাছফাললৈ ঘূৰি চায় তেওঁ ঈশ্বৰৰ ৰাজ্যৰ উপযুক্ত
নহয়।”

**১০** এইবোৰ কথা কোৱাৰ পাছত প্ৰভু যীচুৱে আন সত্তৰ জনক
নিযুক্তি কৰিলে৷ তাৰ পাছত তেওঁ নিজে যি যি নগৰ আৰু ঠাইত যাব
বিচাৰিছিল, সেইবোৰ ঠাইলৈ দুজন দুজনকৈ পঠিয়াই দিলে। ২ আৰু
তেওঁলোকক ক’লে, “শস্য সৰহ, কিন্তু বনুৱা তাকৰ; সেই কাৰণে
নিজৰ শস্যক্ষেত্ৰলৈ বনুৱা সকলক পঠিয়াই দিবলৈ, শস্যৰ গৰাকীক
প্ৰাৰ্থনা কৰা। ৩ তোমালোক যোৱা; চোৱা, ৰাংকুকুৰৰ মাজত মই
তোমালোকক মেৰ-পোৱালি স্বৰূপে পঠিয়াইছোঁ। ৪ তোমালোকে
কোনো ধনৰ মোনা বা জোলোঙা বা পাদুকা নলবা; আৰু বাটত যাওঁতে
কাকো সম্ভাষণনজনাবা। ৫ তোমালোকে যি ঘৰত সোমোৱা, তাত
প্ৰথমে ক’বা, ‘এই ঘৰৰ কুশল হওক৷’ ৬ যদি তাত কুশলৰ পাত্ৰ থাকে,
তেনেহলে তোমালোকৰ কুশল সেই লোকৰ ওপৰত থাকিব কিন্তু যদি
তাত কুশলৰ পাত্ৰ নাই, তেনেহলে তোমালোকলৈ ঘূৰি আহিব। ৭
আৰু তোমালোকে যি ঘৰত থাকিবা, ততে তেওঁলোকে যি খোৱা বস্তু
দিয়ে সেইবোৰকে ভোজন-পান কৰিবা; কিয়নো বনুৱা জন তেওঁৰ
বেচৰ যোগ্য। এঘৰৰ পৰা এঘৰলৈ নাযাবা। ৮ তোমালোকে যেতিয়া
এখন নগৰত সোমোৱা আৰু তাত থকা লোক সকলে তোমালোকক
গ্ৰহণ কৰিলে, তেওঁলোকে তোমালোকৰ আগত যি খাবলৈ দিয়ে
সেইবোৰকে ভোজন কৰিবা; ৯ সেই ঠাইত থকা ৰোগী সকলক
সুস্থ কৰিবা আৰু ‘ঈশ্বৰৰ ৰাজ্য তোমালোকৰ ওচৰ আহি পালে’ বুলি
তেওঁলোকক ক’বা। ১০ কিন্তু কোনো নগৰত সোমালে, মানুহবোৰে
যদি তোমালোকক গ্ৰহণ নকৰে, সেই নগৰৰ আলিবাটলৈ যাবা আৰু
এই কথা ক’বা, ১১ তোমালোকৰ নগৰৰ যি ধুলি আমাৰ ভৰিত লাগি
আছে সেই ধুলিও তোমালোকৰ বিৰুদ্ধে জোকাৰি পেলালো, তথাপি
এই কথা জানি লোৱা যে ‘ঈশ্বৰৰ ৰাজ্য তোমালোকৰ ওচৰ আহি
পালে৷’ ১২ মই তোমালোকক কওঁ, সেই মহা-বিচাৰৰ দিনা এই
নগৰতকৈ চদোমৰ অৱস্থা বেছি সহনীয় হ’ব। ১৩ হায় হায় কোৰাচীন!
হায় হায় বৈৎ-চৈদা! তোমালোক সন্তাপৰ পাত্ৰ; কিয়নো তোমালোকৰ

মাজত যিবোৰ পৰাক্ৰম কাৰ্য কৰা হৈছিল, সেইবোৰ কাৰ্য তুৰ আৰু
চীদোনত যদি কৰিলোঁ হয়, তেতিয়া তাৰ নিবাসী সকলে বহু দিনৰ
আগেয়ে চট পিন্ধি, ছাইত বহি অনুতাপ কৰিলেহেঁতেন। ১৪ কিন্তু মহা-
বিচাৰৰ দিনা তোমালোকৰ দশাতকৈ তুৰ আৰু চীদোনৰ দশা সহিবলৈ
বেছি সহনীয় হ'ব। ১৫ হে কফৰনাহূম, তুমি ভাবা নে, তুমি স্বৰ্গলৈ
তোলা হ'বা বুলি? তুমি নৰকলৈহে পেলোৱা হ'বা। (Hadēs g86) ১৬
যি কোনোৱে তোমালোকৰ কথা শুনে, তেওঁ মোৰো কথা শুনে৷ যি
কোনোৱে তোমালোকক অগ্ৰাহ্য কৰে, তেওঁ মোকো অগ্ৰাহ্য কৰে
আৰু যি কোনোৱে মোক অগ্ৰাহ্য কৰে, তেওঁ মোক পঠোৱা জনকো
অগ্ৰাহ্য কৰে।" ১৭ পাছত সেই সত্তৰ জনে আনন্দেৰে ঘূৰি আহি
ক'লে, "হে প্ৰভু, আপোনাৰ নামৰ দ্বাৰাই ভূতবোৰো আমাৰ বশীভূত
হ'ল।" ১৮ যীচুৱে তেওঁলোকক ক'লে, "স্বৰ্গৰ পৰা বিজুলীৰ নিচিনাকৈ,
মই চয়তানক পৰা দেখিলোঁ। ১৯ চোৱা, সাপ আৰু কেঁকোৰা-বিছা
গচকিবলৈ আৰু শত্ৰুৰ সকলো পৰাক্ৰমৰ ওপৰত তোমালোকক
ক্ষমতা দিলোঁ; তাতে একোৱে তোমালোকৰ কোনো প্ৰকাৰে অন্যায়
কৰিব নোৱাৰিব। ২০ তথাপি ভূতৰ আত্মাবোৰ যে তোমালোকৰ
বশীভূত হ'ল, সেই কথাত আনন্দ নকৰি, তোমালোকৰ নাম যে স্বৰ্গত
লিখাহৈছে, সেই বাবেহে অধিক আনন্দ কৰা।" ২১ সেই ক্ষণতে
তেওঁ পবিত্ৰ আত্মাত উল্লাসিত হৈ ক'লে, "হে পিতৃ, স্বৰ্গ আৰু পৃথিৱীৰ
প্ৰভু, তুমি জ্ঞানী আৰু বিদ্যাৱন্ত লোকৰ পৰা এইবোৰ কথা গুপুতে
ৰাখি, শিশু সকলৰ আগত প্ৰকাশ কৰিলা, এই বাবে তোমাক ধন্যবাদ
দিওঁ৷ হয় পিতৃ, সেইদৰে তোমাৰ দৃষ্টিত সন্তোষজনক হোৱা কাৰণে
তোমাক ধন্যবাদ দিওঁ।" ২২ "মোৰ পিতৃয়ে তোমালোকক মোৰ ওপৰত
সমৰ্পন কৰিছেআৰু পুত্ৰ নো কোন, পিতৃৰ বাহিৰে কোনেও এই বিষয়ে
নাজানে; আৰু পিতৃ নো কোন, সেই বিষয়ে পুত্ৰৰ বাহিৰে আন কোনেও
নাজানে আৰু যি জনৰ আগত পুত্ৰই তেওঁক প্ৰকাশ কৰিবলৈ ইচ্ছা
কৰে, তেওঁৰ বাহিৰে আন কোনেও জানিব নোৱাৰে।" ২৩ ইয়াৰ পাছত
যীচুৱে শিষ্য সকলৰ ফালে ঘূৰি গুপুতে ক'লে, "তোমালোকে যি যি
দেখিছা সেইবোৰ দেখা চকুবোৰ ধন্য; ২৪ কিয়নো মই তোমালোকক

কওঁ যে, তোমালোকে যি যি দেখিছা, তাক অনেক ভাৱবাদী আৰু
ৰজাই দেখিবলৈ ইচ্ছা কৰিও দেখিবলৈ নাপালে আৰু তোমালোকে
যি যি শুনিছা, সেই বিষয়ে অনেকে শুনিবলৈ ইচ্ছা কৰিও, শুনিবলৈ
নাপালে।" ২৫ ইয়াৰ পাছত এজন বিধান পণ্ডিতে উঠি যীচুক পৰীক্ষা
কৰি চোৰাৰ ছলেৰে সুধিলে, "হে গুৰু, মই কি কৰি অনন্ত জীৱনৰ
অধিকাৰী হম?" (aiōnios g166) ২৬ তেতিয়া যীচুৱে ক'লে, "বিধানত কি
লিখা আছে? তুমি কেনেকৈ বিধান-শাস্ত্ৰ পঢ়িছা?" ২৭ তেওঁ উত্তৰ দি
ক'লে, "তুমি সকলো হৃদয়, সকলো প্ৰাণ, সকলো শক্তি আৰু সকলো
চিত্তেৰে তোমাৰ প্ৰভু পৰমেশ্বৰক প্ৰেম কৰা, আৰু তোমাৰ চুবুৰীয়াক
নিজৰ নিচিনাকৈ প্ৰেম কৰা।" ২৮ তেতিয়া যীচুৱে তেওঁক ক'লে, "তুমি
সঠিক উত্তৰ দিলা; ইয়াকে কৰা তেতিয়া তুমি অনন্ত জীৱন পাবা।" ২৯
কিন্তু তেওঁ নিজকে নিৰ্দ্দোষী বুলি প্ৰমাণিত কৰিবলৈ ইচ্ছা কৰি যীচুক
ক'লে, "মোৰ চুবুৰীয়া নো কোন?" ৩০ তেতিয়া যীচুৱে সমিধান দি
ক'লে, "এজন মানুহ যিৰূচালেমৰ পৰা যিৰীহো নগৰলৈ গৈ আছিল;
যাওঁতে বাটতে তেওঁ ডকাইতৰ হাতত পৰিল; তেতিয়া সিহঁতে তেওঁক
বিবস্ত্ৰ কৰি মৰিয়াই, বস্তু-বাহানি লৈ আধামৰাকৈ মাৰি এৰি থৈ গুচি
গ'ল। ৩১ এনেতে কোনো এজন পুৰোহিত সেই বাটেদি গৈছিল; পাছত
তেওঁ সেই মানুহ জনক দেখি, এফলীয়া হৈ গ'ল। ৩২ সেইদৰে এজন
লেবীয়েও সেই ঠাই পোৱাত মানুহ জনক দেখি এফলীয়া হৈ গ'ল।
৩৩ কিন্তু এজন চমৰীয়াই যাত্ৰা কৰি গৈ থাকোতে, সেই মানুহ জন
পৰি থকা ঠাই পালে; তাতে মানুহ জনক দেখি তেওঁৰ মৰম উপজিল
আৰু তেওঁ মানুহ জনৰ ওচৰলৈ আহিল। ৩৪ তেওঁ মানুহ জনৰ গাত
তেল আৰু দ্ৰাক্ষাৰস বাকি দি ঘাঁবোৰ বান্ধিলে; পাছত নিজৰ বাহনৰ
ওপৰত বহুৱাই আলহী-ঘৰলৈ লৈ গ'ল আৰু তেওঁক শুশ্ৰূষা কৰিলে।
৩৫ পাছদিনা তেওঁ দুটা দীনাৰীউলিয়াই আলহী-ঘৰৰ গৰাকীক দি
ক'লে, 'এওঁক শুশ্ৰূষা কৰিবা আৰু যি অধিক খৰচ হয়, সেয়া মই উভতি
আহিলে পৰিশোধ কৰিম'। ৩৬ এই তিনি জনৰ মাজত, ডকাইতৰ
হাতত পৰা সেই মানুহ জনৰ কোন জনক চুবুৰীয়া বুলি ভাবিছা?" ৩৭
তেতিয়া বিধান পণ্ডিত জনে ক'লে, "যি জনে তেওঁক দয়া কৰিলে,

তেৰেঁই।" তেতিয়া যীচুৱে তেওঁক ক'লে, "তুমিও সেইদৰে কৰা।" ৩৮
পাছত তেওঁলোকে আগবাঢ়ি যাওঁতে, যীচুৱে এখন গাৱঁত সোমাল;
সেই গাঁৱত মাৰ্থা নামেৰে এজনী মহিলাই তেওঁক আদৰণি জনাই
নিজৰ ঘৰত আলহী কৰি ৰাখিলে; ৩৯ আৰু তেওঁৰ ভনীয়েক মৰিয়মে
প্ৰভু যীচুৰ চৰণৰ ওচৰত বহি তেওঁৰ বাক্য শুনি থাকিল। ৪০ কিন্তু
মাৰ্থাই আহাৰ যোগাৰৰ বাবে বহুত ব্যস্ত আছিল৷ তেওঁ যীচুৰ ওচৰলৈ
আহি ক'লে "হে প্ৰভু, মোৰ ভনীয়ে মোক যে অকলশৰে কাম কৰিবলৈ
এৰি দিছে এয়া আপুনি মন নকৰে নে? সেয়েহে সহায় কৰিবলৈ তাইক
আজ্ঞা দিয়ক।" ৪১ কিন্তু প্ৰভুৱে উত্তৰত তেওঁক ক'লে, "মাৰ্থা, মাৰ্থা,
তুমি বহু বিষয়ত চিন্তিত আৰু ব্যস্ত হৈ আছা, কিন্তু মাত্ৰ এটা বিষয়হে
প্ৰয়োজনীয়৷ ৪২ মৰিয়মে সেই উত্তম বিষয়টো মনোনীত কৰিলে,
তেওঁৰ পৰা সেইটো নিয়া নহব।"

**১১** এদিন যীচুৱে এঠাইত প্ৰাৰ্থনা কৰি আছিল৷ প্ৰাৰ্থনা শেষ হোৱাৰ
পাছত তেওঁৰ এজন শিষ্যই ওচৰলৈ আহি ক'লে, "হে প্ৰভু, যোহনে
যেনেকৈ তেওঁৰ শিষ্য সকলক প্ৰাৰ্থনা কৰিবলৈ শিকালে; তেনেকৈ
আপুনিও আমাক শিকাওঁক।" ২ তেতিয়া যীচুৱে তেওঁলোকক ক'লে,
"তোমালোকে প্ৰাৰ্থনা কৰা সময়ত এইদৰে ক'বা, 'হে পিতৃ, তোমাৰ
নাম পূজনীয় হওক; তোমাৰ ৰাজ্য হওক; ৩ আমাৰ প্ৰয়োজনীয়
দৈনিক আহাৰ আমাক প্ৰতিদিনে দিয়া। ৪ আমাৰ পাপ ক্ষমা কৰা
কিয়নো আমিও নিজৰ নিজৰ ধৰুৱাক ক্ষমা কৰিলোঁ।আৰু আমাক
পৰীক্ষালৈ নিনিবা'।" ৫ ইয়াৰ পাছত যীচুৱে তেওঁলোকক ক'লে, "ধৰা
হওক, তোমালোকৰ মাজৰ কোনো এজনৰ বন্ধু আছে৷ তুমি যদি
মাজনিশা বন্ধু জনৰ ওচৰত গৈ কোৱা, 'হে বন্ধু, মোক তিনিটা পিঠা
ধাৰে দিয়া; ৬ কিয়নো এইমাত্ৰ মোৰ ঘৰলৈ এজন পথিক বন্ধু আহিছে৷
তেওঁক আহাৰ দিবলৈ মোৰ একো আহাৰ নাই৷' ৭ তেতিয়া সেই বন্ধু
জনে ভিতৰৰ পৰা উত্তৰ দি কব পাৰে 'মোক বিৰক্ত নকৰিবা৷ এতিয়া
দুৱাৰ বন্ধ আৰু মোৰ সন্তান সকল শুই আছে৷ তোমাক পিঠা দিবলৈ
উঠিব নোৱাৰো৷' ৮ কিন্তু মই তোমালোকক কওঁ, বন্ধু হোৱা হেতুকে
তেওঁ উঠি আহি নিদিলেও তুমি বাৰে বাৰে খুজি থকাত, এটা সময়ত

তেওঁ উঠি আহি তোমাৰ যিমান প্ৰয়োজন সিমানেই পিঠা তোমাক
দিব। ৯ মই তোমালোকক পুনৰ কওঁ, খোজাতেতিয়া তোমালোকক
দিয়া হ’ব, বিচাৰা তেতিয়া পাবা, টুকুৰিওৱা তেতিয়া তোমালোকৰ
বাবে দুৱাৰ মুকলি কৰা হ’ব। ১০ কিয়নো খোজা লোকে পায়, বিচৰা
জনে দেখে আৰু যি জনে টুকুৰিয়াই, তেওঁলৈ দুৱাৰ মুকলি কৰা হয়।
১১ তোমালোকৰ মাজত কোন জন পিতৃয়ে পুত্ৰই পিঠা খুজিলে, শিল
দিব? বা মাছ খুজিলে, মাছৰ সলনি সাপ দিব? ১২ নাইবা কণী খুজিলে
তাক কেঁকোৰা-বিছা দিব? ১৩ এতেকে তোমালোক দুৰ্জন হৈয়ো নিজ
নিজ সন্তান সকলক যদি ভাল বস্তু দিব জানা তেনেহলে তাতকৈয়ো
তোমালোকৰ স্বৰ্গত থকা পিতৃয়ে তেওঁৰ ওচৰত খোজা লোক সকলক
পবিত্ৰ আত্মা নিদিব নে?” ১৪ এক সময়ত যীচুৱে এজন বোবা মানুহৰ
পৰা এটা ভূত খেদাইছিল আৰু ভূতটো বাহিৰ হৈ যোৱাত, সেই বোবা
মানুহ জনে কথা ক’বলৈ ধৰিলে৷ তাকে দেখি লোক সকলে বিস্ময়
মানিলে। ১৫ কিন্তু কিছুমান লোকে কলে, “ভূতৰ ৰজা বেলচবূব ৰ
সহায়তহে এওঁ ভূতবোৰক এনেদৰে খেদায়।” ১৬ আন কিছুমানে
তেওঁক পৰীক্ষা কৰিবলৈ স্বৰ্গৰ পৰা কোনো পৰাক্ৰম কাৰ্যৰ চিন
বিচাৰিলে। ১৭ কিন্তু যীচুৱে তেওঁলোকৰ মনৰ ভাব বুজি পায় ক’লে,
“যদি কোনো ৰাজ্য নিজৰ বিৰুদ্ধে ভিন ভিন হয়, তেনেহলে সেই ৰাজ্য
উছন্ন হয় আৰু এখন ঘৰত যদি নিজৰ ভিতৰতে বিভেদ জন্মে, সেই
ঘৰ খনো বিনষ্ট হয়৷ ১৮ চয়তান যদি নিজৰ বিৰুদ্ধে ভিন ভিন হয়,
তেনেহলে তাৰ ৰাজ্য কেনেকৈ থাকিব? কাৰণ তোমালোকে কৈছা যে,
মই বেলচবূব ৰ দ্বাৰাই ভূতবোৰক খেদাও৷ ১৯ যদি মই বেলচবূব ৰ
দ্বাৰাই ভূতবোৰক খেদাও, তেনেহলে তোমালোকৰ অনুগামী সকলে
কাৰ দ্বাৰাই খেদায়? এই কাৰণে তেওঁলোক তোমালোকৰ বিচাৰক
হব। ২০ কিন্তু মই যদি ঈশ্বৰৰ আঙুলিৰে ভূতবোৰক খেদাও, তেনেহলে
ঈশ্বৰৰ ৰাজ্য অৱশ্যে তোমালোকৰ মাজলৈ আহিল। ২১ যেতিয়া এজন
বলৱান লোকে অস্ত্ৰ-শস্ত্ৰৰে ভালকৈ সুসজ্জিত হৈ নিজৰ ঘৰ খন পহৰা
দিয়ে, তেতিয়া তেওঁৰ সম্পত্তি সুৰক্ষিত হৈ থাকে; ২২ কিন্তু যেতিয়া
তেওঁতকৈ আন এজন বলৱান লোক আহি তেওঁক পৰাজয় কৰে,

তেতিয়া সেই বলৱান লোক জনে তেওঁৰ পৰা অস্ত্র-শস্ত্রবোৰৰ সৈতে
তেওঁৰ সকলো সম্পত্তি লুণ্ঠন কৰে। ২৩ যি ব্যক্তি মোৰ ফলীয়া নহয়,
তেওঁ মোৰ বিপক্ষ আৰু যি কোনোৱে মোৰে সৈতে নচপায়, তেওঁ সিচিঁ
পেলায়। ২৪ যেতিয়া এটা অশুচি আত্মা কোনো মানুহৰ পৰা ওলাই
যায়, তেতিয়া সি পানী নথকা ঠাইবোৰত ঘূৰি ফুৰি জিৰণি বিচাৰে
আৰু এনে কোনো ঠাই বিচাৰি নাপালে সি কয়, 'মই যি ঘৰৰ পৰা
ওলাই আহিলোঁ সেই ঘৰলৈকে উভতি যাম'। ২৫ পাছত উভতি আহি
সি যেতিয়া সেই ঘৰ খন সৰা পোচা আৰু সজোৱা-পৰোৱা দেখে,
২৬ তেতিয়া সি গৈ নিজতকৈ দুষ্ট আন সাতোটা ভূতৰ আত্মা লগত
লৈ আহে, আৰু তাতে সোমাই নিবাস কৰে আৰু সেই মানুহ জনৰ
শেষ অৱস্থা প্ৰথম অৱস্থাতকৈও বেয়াহৈ যায়।" ২৭ এই কথা কৈ
থাকোতে এজনী তিৰোতাই লোক সকলৰ মাজৰ পৰা বৰ মাতেৰে
তেওঁক ক'লে, "আপোনাক যি গৰ্ভই ধাৰণ কৰিলে আৰু যাৰ স্তন
আপুনি পান কৰিলে তেওঁ ধন্য।" ২৮ কিন্তু তেওঁ ক'লে, "হয়, তথাপি
যি সকলে ঈশ্বৰৰ বাক্য শুনি পালন কৰে তেওঁলোকহে ধন্য।" ২৯
এনেদৰে অনেক লোক তেওঁৰ ওচৰত গোট খোৱাত, তেওঁ ক'বলৈ
ধৰিলে, "এই কালৰ মানুহ, দুৰ্জন মানুহ৷ ইহতে পৰাক্রম কাৰ্যৰ চিন
বিচাৰে কিন্তু যোনাৰচিনৰ বাহিৰে আন কোনো চিন ইহতক দিয়া
নহব। ৩০ কিয়নো যোনা যেনেকৈ নীনবিৰ লোকলৈ চিন হৈছিল,
তেনেকৈ এই কালৰ লোকৰ ওচৰত মানুহৰ পুত্ৰই চিন হব। ৩১
দক্ষিণ দেশৰ ৰাণীয়েমহা-বিচাৰত এই কালৰ মানুহবোৰৰ সৈতে
উঠি তেওঁলোকক দোষী কৰিব কিয়নো তেওঁ চলোমনৰ জ্ঞানৰ কথা
শুনিবলৈ পৃথিৱীৰ সীমাৰ পৰা আহিছিল৷ কিন্তু চোৱা, চলোমনতকৈয়ো
মহান এজন ইয়াতে আছে। ৩২ মহা-বিচাৰত নীনবি নগৰৰ লোক
সকল এই কালৰ লোক সকলৰ সৈতে থিয় হৈ ইহতক দোষী কৰিব;
কিয়নো তেওঁলোকে যোনাৰ ঘোষণাত মন-পালটন কৰিলে, কিন্তু চোৱা
যোনাতকৈয়ো মহান এজন ইয়াত আছে। ৩৩ কোনো লোকে চাকি
জ্বলাই কোনেও গুপুত ঠাইত বা দোণৰ তলত নথয় কিন্তু ভিতৰলৈ
সোমোৱাই অহা সকলক পোহৰ দিবলৈ গছাৰ ওপৰতহে থয়। ৩৪

তোমাৰ চকুৱেই শৰীৰৰ প্ৰদীপ; যেতিয়া তোমাৰ চকু ভালে থাকে,
তেতিয়া তোমাৰ গোটেই শৰীৰ দিপ্তীময় হয়৷ কিন্তু যেতিয়া বেয়া থাকে,
তেতিয়া তোমাৰ শৰীৰ অন্ধকাৰময় হয়। ৩৫ এতেকে তোমাৰ ভিতৰত
থকা পোহৰটো যেন অন্ধকাৰ হৈ নপৰে, সেই বিষয়ে মন কৰিবা। ৩৬
এতেকে যদি তোমাৰ গোটেই শৰীৰ দিপ্তীময় আৰু তাৰ কোনো ভাগ
অন্ধকাৰময় নহয়, তেনেহলে প্ৰদীপৰ উজ্বল ৰশ্মি তোমাক দিলে যি
ৰূপ হয়, সেই ৰূপেই তোমাৰ সকলো শৰীৰে ধাৰণ কৰিব৷” ৩৭ এই
কথা কোৱাৰ পাছত এজন ফৰীচীয়ে তেওঁৰ লগত ভোজন কৰিবলৈ
তেওঁক অনুৰোধ কৰিলে; তাতে তেওঁ ভিতৰলৈ সোমাই ভোজনত
বহিল; ৩৮ আৰু তেওঁক ভোজনৰ আগেয়ে নিজকে ধুই লোৱা নেদেখি,
সেই ফৰীচীয়ে বিস্ময় মানিলে। ৩৯ তেতিয়া প্ৰভুৱে তেওঁক ক’লে,
“আপোনালোক ফৰীচী সকলে বাটি কাঁহিৰ বাহিৰফাল পৰিষ্কাৰ কৰে,
কিন্তু আপোনালোকৰ ভিতৰফাল অপহৰণ আৰু দুষ্টতাৰে পৰিপূৰ্ণ।
৪০ হে নিৰ্ব্বোধ সকল! যি জনে বাহিৰফাল নিৰ্মাণ কৰিলে সেই জনে
ভিতৰফালো নিৰ্মাণ নকৰিলে নে? ৪১ ভিতৰত যি আছে, সেইখিনিকে
দান কৰা; তেতিয়া সকলো বস্তু তোমালোকলৈ শুচি হব। ৪২ কিন্তু
হায় হায় ফৰীচী সকল! আপোনালোক সন্তাপৰ পাত্ৰ৷ আপোনালোকে
পদিনা, আৰুদআৰু বাগিছাত হোৱা শাক-পাচলিৰ দশম ভাগ দান
কৰে কিন্তু ন্যায়-বিচাৰ আৰু ঈশ্বৰৰ প্ৰেম ত্যাগ কৰে৷ আচলতে
অন্যান্য বিষয় সমূহৰ লগতে ন্যায়-বিচাৰ আৰু ঈশ্বৰৰ প্ৰেমকো পালন
কৰা আপোনালোকৰ প্ৰয়োজন আছিল৷ ৪৩ হায় হায় ফৰীচী সকল!
আপোনালোক সন্তাপৰ পাত্ৰ; কিয়নো আপোনালোকে নাম-ঘৰত
প্ৰধান আসন আৰু হাট-বজাৰত সন্মানপূৰ্ণ সম্ভাষণবোৰক প্ৰেম কৰে।
৪৪ হায় হায়! আপোনালোক সন্তাপৰ পাত্ৰ কিয়নো যি অদৃশ্য মৈদামৰ
ওপৰত মানুহবোৰে নজনাকৈ খোজ দিয়ে, এনে মৈদামৰ নিচিনা
আপোনালোক।” ৪৫ সেই সময়ত বিধান পণ্ডিত এজনে উত্তৰ দি যীচুক
ক’লে, “হে গুৰু আপুনি যিবোৰ কথা কৈছে সেই কথাবোৰে আমাক
অপমান কৰে।” ৪৬ তেতিয়া যীচুৱে ক’লে, “হায় হায় বিধান পণ্ডিত
সকল! আপোনালোক সন্তাপৰ পাত্ৰ; কিয়নো আপোনালোকে মানুহৰ

ওপৰত অসহনীয় ভাৰৰ বোজা দিয়ে, কিন্তু নিজৰ এটা আঙুলিৰেও
সেই ভাৰ নুচুৰে। ৪৭ হায় হায়! আপোনালোক সন্তাপৰ পাত্র, কিয়নো
আপোনালোকে ভাববাদী সকলৰ স্মৃতিৰ বাবে মৈদাম নিৰ্মাণ কৰিছে
কিন্তু আপোনালোকৰ পূৰ্বপুৰুষ সকলে তেওঁলোকক বধ কৰিছিল। ৪৮
সেয়েহে ইয়াত আপোনালোক সাক্ষী হৈছে আৰু নিজ পূৰ্বপুৰুষ সকলৰ
কৰ্মত সন্মতিও জনাইছে, কিয়নো তেখেত সকলে প্ৰকৃততে ভাববাদী
সকলক বধ কৰিছিল, সেই কাৰণে এতিয়া আপোনালোকে মৈদাম
সাজিছে। ৪৯ ইয়াৰ কাৰণে ঈশ্বৰৰ জ্ঞানেও কলে, “মই তেওঁলোকলৈ
ভাববাদী আৰু পাঁচনি সকলক পঠিয়াম আৰু তেওঁলোকে মই পঠিয়োৱা
সকলৰ কোনো জনক তাড়না কৰিব আৰু কোনো জনক বধ কৰিব৷
৫০ সেই কাৰণে জগত সৃষ্টিৰ আৰম্ভণিৰে পৰা আজিলৈকে যিমান
ভাববাদী হত্যা কৰা হৈছে, তেখেত সকলৰ ৰক্তপাতৰ কাৰণে এই
সময়ৰ লোক সকল দায়ী৷ ৫১ হয়, মই আপোনালোকক কওঁ- হেবলৰ
ৰক্তপাতৰ পৰা আৰম্ভ কৰি যি জখৰিয়াক যজ্ঞবেদি আৰু মন্দিৰৰ মধ্য
স্থানত হত্যা কৰা হৈছিল, সেই জখৰিয়াৰহত্যা পৰ্যন্ত সমস্ত ৰক্তপাতৰ
বাবে এই কালৰ লোক সকল দায়ী হব৷ ৫২ হায় হায় বিধানৰ অধ্যাপক
সকল! আপোনালোক সন্তাপৰ পাত্ৰ৷ কিয়নো আপোনালোকে জ্ঞানৰ
চাবি ধৰি আছে, কিন্তু তাতে প্ৰৱেশ নকৰিলে আৰু প্ৰৱেশ কৰিবলৈ
ধৰা সকলকো বাধা দিছে।” ৫৩ যীচুৱে সেই ঠাই এৰি যোৱাৰ পাছত,
বিধানৰ অধ্যাপক আৰু ফৰীচী সকলে তেওঁৰ কথাত প্ৰতিৰোধ কৰিলে
আৰু তেওঁক লৈ বহু কথাত বিতৰ্ক কৰি, ৫৪ তেওঁ কোৱা কথাৰেই
তেওঁক ফান্দত পেলাব বিচাৰিলে৷

**১২** এনেতে অসংখ্য লোক গোট খোৱাত, লোক সকলৰ মাজত
গচকা-গচকি হ’ল৷ তেতিয়া যীচুৱে প্ৰথমে তেওঁৰ শিষ্য সকলক কবলৈ
ধৰিলে, “যি কপট, সেই ফৰীচী সকলৰ খমিৰলৈ সাৱধান হবা।” ২
“কিন্তু যি প্ৰকাশিত নহব এনে কোনো ঢাকি থোৱা বস্তু নাই আৰু যি
জানিব পৰা নহব, এনে লুকুৱা বস্তু নাই। ৩ এতেকে তোমালোকে
আন্ধাৰত যি যি কথা ক’লা, সেইবোৰ পোহৰত শুনা যাব আৰু ভিতৰৰ
কোঠালিত তোমালোকে কাণে কাণে যি কথা কৈছা, সেয়া ঘৰৰ ওপৰৰ

পৰা ঘোষণা কৰা হ'ব। ৪ হে মোৰ বন্ধু সকল, মই তোমালোকক কওঁ,
যি সকলে শৰীৰক বধ কৰে আৰু তাৰ পাছত একো কৰিব নোৱাৰে,
তেওঁলোকলৈ ভয় নকৰিবা। ৫ কিন্তু কোন জনক ভয় কৰিব লাগে সেই
বিষয়ে মই তোমালোকক জনাওঁ৷ ভয় সেই জনক কৰিবা, যি জনৰ বধ
কৰাৰ পাছত নৰকতো পেলাবৰ ক্ষমতা আছে৷ হয়, মই তোমালোকক
কওঁ; তেওঁলৈকে ভয় কৰা। (Geenna g1067) ৬ পাঁচোটা ঘৰ-চিৰিকা
ক্ষুদ্ৰ পইচালৈ বিক্ৰী নকৰে নে? তথাপি সেইবোৰৰ এটাকো ঈশ্বৰৰ
আগত পাহৰা নাযায়। ৭ কিন্তু তোমালোকৰ মূৰৰ সকলো চুলিও
গণনা কৰা হৈছে। ভয় নকৰিবা; কিয়নো তোমালোক অনেক ঘৰ-
চিৰিকাতকৈ বহুমূলীয়া। ৮ মই তোমালোকক পুনৰ কওঁ, মানুহবোৰৰ
আগত যি জনে মোক স্বীকাৰ কৰে, মানুহৰ পুত্ৰয়ো ঈশ্বৰৰ দূতবোৰৰ
আগত তেওঁক স্বীকাৰ কৰিব। ৯ কিন্তু মানুহবোৰৰ আগত যি জনে
মোক অস্বীকাৰ কৰে, ঈশ্বৰৰ দূতবোৰৰ আগত তেওঁকো অস্বীকাৰ
কৰা হব। ১০ যি কোনোৱে মানুহৰ পুত্ৰৰ অহিতে কথা কয়, তেওঁক
ক্ষমা কৰা হব। কিন্তু পবিত্ৰ আত্মাৰ অহিতে নিন্দা কৰা জনক ক্ষমা
কৰা নহব। ১১ যেতিয়া তেওঁলোকে নাম-ঘৰবোৰত আৰু ক্ষমতা পোৱা
আৰু শাসনকৰ্তা সকলৰ সন্মুখত তোমালোকক হাজিৰ কৰাব, তেতিয়া
কেনেকৈ কি উত্তৰ দিব লাগে বা কি কথা কব লাগে, সেই বিষয়ে
চিন্তা নকৰিবা৷ ১২ কিয়নো যি যি কথা সেই সময়ত কবলগীয়া হব,
সেয়া পবিত্ৰ আত্মাই সেই মুহুৰ্ত্ততেই তোমালোকক শিকাই দিব।”
১৩ তাৰ পাছত লোক সকলৰ মাজৰ পৰা এজনে তেওঁক ক'লে, “হে
গুৰু, পৈতৃক সম্পত্তি মোৰ সৈতে ভাগ কৰিবলৈ, মোৰ ককাইক আজ্ঞা
দিয়ক।” ১৪ কিন্তু যীচুৱে তেওঁক ক'লে, “হে ভাই, মোক কোনে
তোমালোকৰ ওপৰত বিচাৰক বা ভাগ কৰোঁতা পাতিলে?” ১৫ তেওঁ
তেওঁলোকক পুনৰ ক'লে, “সকলো লোভৰ পৰা নিজকে দুৰত ৰাখি
সাৱধানে থাকিবা; কিয়নো উপচি পৰিলেও মানুহৰ জীৱন তেওঁৰ
সম্পত্তিৰ ওপৰত নিৰ্ভৰ নহয়।” ১৬ পাছত যীচুৱে তেওঁলোকক এটা
দৃষ্টান্ত দি ক'লে, “এজন ধনী মানুহৰ মাটিত বহু শস্য উৎপন্ন হৈছিল।
১৭ তাতে তেওঁ মনতে ভাবি ক'লে, ‘মোৰ শস্য সামৰিবলৈ ঠাই নাই;

মই এতিয়া কি কৰিম?’ ১৮ পাছত তেওঁ নিজকে কলে, ‘মই ইয়াকে
কৰিম যে, আগৰ ভঁৰালবোৰ ভাঙিম আৰু এটা ডাঙৰ ভঁৰাল সাজিম৷
সেই ভঁৰালত মোৰ সকলো শস্য আৰু ভাল বস্তু সামৰি থম’। ১৯ তাৰ
পাছত মই মোৰ প্ৰাণক কম, ‘হে প্ৰাণ, অনেক বছৰলৈ তোমাৰ বহুত
ভাল বস্তু সাঁচি থোৱা হৈছে৷ জিৰাই-সতাই থাকা আৰু ভোজন-পান
কৰি আনন্দ কৰা’। ২০ কিন্তু ঈশ্বৰে তেওঁক ক’লে, ‘হে নিৰ্ব্বোধ লোক,
আজি ৰাতি তোমাৰ প্ৰাণ নিয়া হব৷তাতে যিবোৰ বস্তু যুগুত কৰি থলা,
সেইবোৰ কাৰ হ’ব? ২১ ঠিক এইদৰে যি জনে ঈশ্বৰলৈ ধনৱান নহয়,
কেৱল নিজলৈ ধন সাঁচি থয়, তেওঁ তেনেকুৱা লোক।” ২২ পাছত
যীচুৱে তেওঁৰ শিষ্য সকলক ক’লে, “সেই বাবে মই তোমালোকক
কওঁ, তোমালোকে কি খাম বুলি প্ৰাণৰ কাৰণে আৰু কি পিন্ধিম বুলি
শৰীৰৰ কাৰণে চিন্তা নকৰিবা। ২৩ কিয়নো আহাৰতকৈ প্ৰাণ আৰু
বস্ত্ৰতকৈ শৰীৰ শ্ৰেষ্ঠ। ২৪ ঢোঁৰা কাউৰীবোৰলৈ চোৱা, সিহঁতে নবয়
বা নাদায়; সিহঁতৰ ভঁৰালত বা মেৰত নাই; তথাপি ঈশ্বৰে সিহঁতক
আহাৰ দিয়ে। তোমালোক চৰাইতকৈ কিমান বহুমূলীয়া! ২৫ আৰু
তোমালোকৰ মাজত কোনে চিন্তা কৰি নিজৰ আয়ুস এহাতকে বঢ়াব
পাৰে? ২৬ এতেকে তোমালোকে যদি আটাইতকৈ সৰুটোৱে কৰিব
নোৱাৰা তেনেহলে আনবোৰ বিষয় কিয় চিন্তা কৰা? ২৭ পথাৰৰ
কনাৰিফুল কেনেকৈ বাঢ়ে, সেই বিষয়ে চিন্তা কৰি চোৱা; সেইবোৰে
শ্ৰম নকৰে আৰু সূতাও নাকাটে৷ মই তোমালোকক কওঁ, চলোমন
তেওঁৰ সকলো ঐশ্বৰ্যৰ সৈতেও সেইবোৰৰ এটাৰ নিচিনাও বিভূষিত
নাছিল। ২৮ কিন্তু পথাৰত থকা যি বন আজি আছে কাইলৈ জুইশালত
পেলোৱা হ’ব, তাকো যদি ঈশ্বৰে এইদৰে ভূষিত কৰে, তেনেহলে হে
অল্পবিশ্বাসী সকল, তোমালোকক তাতকৈয়ো বেছি ভূষিত নকৰিব
নে! ২৯ তোমালোকে কি খাবা, কি পান কৰিবা এইবোৰ তোমালোকে
নিবিচাৰিবা আৰু অস্থিৰ নহবা। ৩০ কিয়নো জগতৰ সকলো জাতিয়ে
এইবোৰ বিচাৰে; আৰু এইবোৰ তোমালোকৰো প্ৰয়োজন আছে বুলি
তোমাৰ পিতৃয়ে জানে। ৩১ কিন্তু তোমালোকে ঈশ্বৰৰ ৰাজ্য বিচাৰা;
তাতে এইবোৰ তোমালোকক দিয়া হ’ব। ৩২ হে তাকৰ জাকটি, ভয়

নকৰিবা, কিয়নো তোমালোকক ৰাজ্য দিবলৈ, তোমালোকৰ পিতৃ
প্ৰসন্ন হৈছে। ৩৩ তোমালোকৰ যি যি সম্পত্তি আছে, সেইবোৰ বিক্ৰী
কৰি দৰিদ্ৰ সকলক দান কৰা আৰু যি ঠাইত চোৰ নাযায়, পোকেও নষ্ট
নকৰে; এনে স্বৰ্গত নিজৰ কাৰণে পুৰণি হৈ নোযোৱা মোনা যুগুত
কৰি অক্ষয় ধন সাঁচি থোৱা৷ ৩৪ কিয়নো য'তে তোমালোকৰ ধন,
ত'তে তোমালোকৰ মনো হব।" ৩৫ "তোমালোকে কঁকাল বান্ধা
আৰুতোমালোকৰ চাকি জ্বলি থাকক, ৩৬ আৰু বিয়াৰ পৰা আহি
দুৱাৰত টুকুৰিয়ালেই দুৱাৰ মেলি দিবলৈ নিজ নিজ প্ৰভুলৈ বাট
চাই থকা মানুহবোৰৰ নিচিনা তোমালোকো হোৱা৷ ৩৭ প্ৰভু অহাৰ
পাছত যি দাস সকলক তেওঁ পৰ দি থকা দেখে, তেওঁলোক ধন্য৷ মই
তোমালোকক সঁচাকৈ কওঁ, তেওঁ নিজৰ কঁকাল বান্ধি, তেওঁলোকক
ভোজনত বহুৱাই, নিজেই তেওঁলোকক শুশ্ৰূষা কৰিব আৰু আহাৰ
বাঢ়ি দিব। ৩৮ তেওঁ মাজৰাতি বা শেষৰাতিও আহি যদি তেওঁলোকক
সেইদৰেই দেখে তেনেহলে তেওঁলোক ধন্য। ৩৯ কোন সময়ত
চোৰআহিব, সেই বিষয়ে ঘৰৰ গৰাকীয়ে জনা হলে, পৰ দি থাকি সিন্ধি
দিবলৈ নিজৰ ঘৰ এৰি নিদিলেহেঁতেন; ইয়াক তোমালোকে জানা। ৪০
তোমালোকো যুগুত হৈ থাকা; কিয়নো যি ক্ষণত তোমালোকে নাভাবা,
সেই ক্ষণতে মানুহৰ পুত্ৰ আহিব।" ৪১ তেতিয়া পিতৰে ক'লে, "হে
প্ৰভু, এই দৃষ্টান্ত অকল আমাৰ বাবে ক'লে নে, নাইবা সকলোকে
কৈছে?" ৪২ তাতে প্ৰভুৱে ক'লে, "নিজৰ ভৃত্য সকলক উচিত সময়ত
নিৰূপিত আহাৰ দিবলৈ, প্ৰভুৱে সিহঁতৰ ওপৰত যাক গৰাকী পাতিব
এনে বিশ্বাসী আৰু বুদ্ধিমান ঘৰগিৰী কোন? ৪৩ প্ৰভু অহা সময়ত
যাক এনে কৰা দেখে সেই দাস ধন্য। ৪৪ মই তোমালোকক সঁচাকৈ
কওঁ, তেওঁ নিজৰ সৰ্ব্বস্বৰ ওপৰত তাক ঘৰগিৰী পাতিব। ৪৫ কিন্তু
সেই দাস জনে যদি নিজৰ মনতে কয়, 'মোৰ প্ৰভু অহাত পলম হ'ব',
আৰু এনেদৰে আন বন্দী বেটীক যদি কোবাবলৈ ধৰে, আৰু ভোজন-
পান কৰি তেওঁ মতলীয়া হয়। ৪৬ তেনেহলে যি দিন আৰু সময়ৰ
কথা তেওঁ অলপো চিন্তা নকৰে, সেইদিন আৰু সময়তে তেওঁৰ প্ৰভু
আহি হাজিৰ হ'ব৷ তাতে প্ৰভুৱে দাসক কাটি টুকুৰা-টুকুৰ কৰিব আৰু

অবিশ্বাসী সকলৰ কাৰণে যি ঠাই যুগুত কৰা হৈছে, তেওঁৰ স্থান তাতেই
হ’ব৷ ৪৭ যি দাসে তাৰ প্ৰভুৰ ইচ্ছা জানিও যুগুত হৈ নাথাকে আৰু
তেওঁৰ ইচ্ছাৰ দৰে নকৰে, সেই দাসে ভালেমান কোব খাব। ৪৮
কিন্তু যি জনে নাজানিকোবৰ যোগ্য কৰ্ম কৰে সি তাকৰ কোব খাব৷
যি জনক অধিক দিয়া হৈছিল, তেওঁৰ পৰা অধিক বিচৰা হব; লোক
সকলে যি জনক সৰহকৈ গোটাই দিলে, তেওঁৰ পৰা অধিককৈ খুজিব।
৪৯ মই পৃথিৱীত জুই পেলাবলৈ আহিলোঁ আৰু অহ! যদি এই আশা
পূৰ্ণ হৈ আগতেই প্ৰজ্বলিত হলহেতেন। ৫০ কিন্তু মই এটা বাপ্তিস্মৰে
বাপ্তাইজিত হ’ব লাগে, আৰু সেয়া সম্পন্ন নোহোৱালৈ মই বহুত কষ্ট
পাই আছোঁ! ৫১ মই পৃথিৱীত শান্তি দিবলৈ আহিছোঁ বুলি ভাবিছা নে?
মই তোমালোকক কওঁ, তেনে নহয়, কিন্তু বিভেদহে দিবলৈ আহিলোঁ।
৫২ এতিয়াৰ পৰা ঘৰৰ পাঁচ জন ভিন ভিন হৈ, দুজনৰ বিপক্ষে তিনি
জন, তিনি জনৰ বিপক্ষে দুজনহে হব। ৫৩ পুতেকৰ বিপক্ষে বাপেক;
বাপেকৰ বিপক্ষে পুতেক; জীয়েকৰ বিপক্ষে মাক, মাকৰ বিপক্ষে
জীয়েক; বোৱাৰীৰ বিপক্ষে শাহুৱেক, শাহুৱেকৰ বিপক্ষে বোৱাৰী
ভিন ভিন হৈ যাব।” ৫৪ ইয়াৰ পাছত যীচুৱে লোক সকলৰ ফালে চাই
ক’লে, “পশ্চিম দিশত ডাৱৰ এচটা উঠা দেখিলেই, আপোনালোকে
কয় ‘বৰষুণ আহিব’ আৰু পাছত সেইদৰে হয়। ৫৫ দক্ষিণ ফালৰ
বতাহ বুলিলে কয় ‘বৰ জহ হব’; পাছত সেই জনো সেইদৰে ঘটে।
৫৬ হে কপটীয়া সকল, আপোনালোকে পৃথিৱীৰ আৰু আকাশৰ ৰূপ
নিৰ্ণয় কৰিব জানে; কিন্তু এই কালৰ বিষয়ে কিয় আপোনালোকে
বিচাৰ কৰিব নাজানে? ৫৭ নিজৰ বিষয়ে উচিত বিচাৰ কি কাৰণত
কৰিব নোৱাৰে? ৫৮ কিয়নো আপোনাৰ গুচৰিয়াৰ সৈতে আপুনি
যেতিয়া বিচাৰকৰ ওচৰলৈ যায়, তেতিয়া বাটতেই তেওঁৰ পৰা মুক্ত
হবলৈ চেষ্টা কৰে যাতে তেওঁ আপোনাক বিচাৰকৰ্তাৰ সন্মুখলৈ বলেৰে
টানি নিনিয়ে আৰু বিচাৰকৰ্তাই দাৰোগাৰ হাতত শোধাই নিদিয়ে;
তেতিয়া দাৰোগায়ো বন্দীশালত সোমাই থব নোৱাৰিব। ৫৯ মই
আপোনালোকক কওঁ, শেষ পইচাটোও পৰিশোধ নকৰালৈকে কোনো
প্ৰকাৰে আপুনি কাৰাগাৰৰ পৰা মুক্ত হব নোৱাৰিব৷”

১৩ সেই সময়ত তাত উপস্থিত থকা কেইজনমান লোকে যীচুক
গালীলীয়া লোকৰ বিষয়ে এই সম্বাদ দিলে যে, পীলাতে তেওঁলোকৰ
বলিৰ উৎসৰ্গৰ তেজৰ সৈতে গালীলীয়া সকলৰ তেজ মিহলি কৰিছিল।
২ যীচুৱে উত্তৰ দি তেওঁলোকক ক'লে, "আপোনালোকে ভাবিছে নে
যে, এই গালীলীয়া সকলে দুখভোগ কৰাৰ কাৰণে আন গালীলীয়া
সকলতকৈ অধিক পাপী আছিল? ৩ মই আপোনালোকক কওঁ
তেনে নহয়; কিন্তু মন-পালটন নকৰিলে, আপোনালোক সকলোৱে
সেইদৰে বিনষ্ট হব। ৪ চীলোহত এটা ওখ দুৰ্গৰ পতনত যি ওঠৰ জন
মানুহৰ মৃত্যু হৈছিল, আপোনালোকে ভাবে নেকি যে যিৰূচালেমৰ বাকী
মানুহতকৈ তেওঁলোক বেছি পাপী আছিল? ৫ মই আপোনালোকক
কওঁ তেনে নহয়; কিন্তু মন-পালটন নকৰিলে, আপোনালোকো বিনষ্ট
হব।" ৬ তাৰ পাছত যীচুৱে এই দৃষ্টান্ত দি ক'লে, "কোনো এজন মানুহৰ
দ্ৰাক্ষাবাৰীত এজোপা ডিমৰু গছ ৰোৱা হৈছিল৷ এবাৰ গৰাকীয়ে আহি
তাৰ ফল বিচাৰিলে, কিন্তু এটাও ফল নাপালে। ৭ তেতিয়া গৰাকীয়ে
বাৰীচোৱাক ক'লে, 'চোৱা, মই তিনি বছৰ ধৰি এই ডিমৰু গছৰ ফল
বিচাৰি আছোঁ, কিন্তু একোৱে নাপাও; সেয়েহে ইয়াক কাটি পেলোৱা।
কিয় ইয়াক অযথা মাটি ডৰা নষ্ট কৰিব দিওঁ?' ৮ তাতে বাৰীচোৱাই
তেওঁক উত্তৰ দি ক'লে, 'হে প্ৰভু এই বছৰো থাকিবলৈ দিয়ক। মই
ইয়াৰ চাৰিওফালে খান্দি সাৰ দিম৷ ৯ পাছত যদি ফল ধৰে, তেনেহলে
ভালেই; নহলে ইয়াক কাটি পেলাব'।" ১০ এদিন বিশ্ৰামবাৰে এটা
নাম-ঘৰত যীচুৱে উপদেশ দি আছিল। ১১ তাত এনে এগৰাকী মহিলা
আছিল, যি মহিলা গৰাকীয়ে এটা শক্তিহীন কৰা অশুচি আত্মাৰ অধীনত
ওঁঠৰ বছৰ ধৰি কষ্ট ভোগ কৰি আছিল আৰু তাই কুঁজী হৈ গৈছিল,
একেবাৰে পোন হব পৰা নাছিল। ১২ যীচুৱে তাইক দেখি মাতিলে
আৰু ক'লে, "হে নাৰী তোমাৰ শক্তিহীন অৱস্থাৰ পৰা তুমি মুক্ত হোৱা।"
১৩ তাৰ পাছত যীচুৱে তাইৰ ওপৰত হাত ৰাখিলে আৰু লগে লগে তাই
পোন হৈ ঈশ্বৰৰ স্তুতি কৰিলে। ১৪ কিন্তু যীচুৱে বিশ্ৰামবাৰে সুস্থ কৰাৰ
কাৰণে, নাম-ঘৰৰ অধিকাৰী জনে ক্ৰোধিত হৈ লোক সকলক ক'লে,
"কাম কৰাৰ কাৰণে ছয় দিন আছে৷ গতিকে সেই ছয় দিনত আহিবা

আৰু সুস্হ হবা, বিশ্ৰামবাৰত নহয়।" ১৫ প্ৰভুৱে তেওঁক উত্তৰ দি
ক'লে, "কপটীয়া সকল! বিশ্ৰামবাৰে আপোনালোক সকলোৱে জানো
নিজৰ গাধ বা গৰু গোহালিৰ পৰা মেলি পানী খোৱাবলৈ নিনিয়ে? ১৬
তেনেহলে সুদীৰ্ঘ ওঠৰ বছৰ ধৰি চয়তানৰ বন্ধনত থকা অব্ৰাহামৰ
বংশৰ এই মহিলা গৰাকীক বিশ্ৰামবাৰৰ দিনা এই বন্ধনৰ পৰা মুকলি
কৰা উচিত নহয় নে?" ১৭ তেওঁ এইবোৰ কথা কোৱাৰ পাছত, তেওঁৰ
বিৰুদ্ধে যি সকল লোক আছিল: সেই লোক সকলে লাজ পালে৷ কিন্তু
তেওঁ কৰা সকলো গৌৰৱময় কাৰ্যবোৰ দেখি লোক সকলে আনন্দ
কৰিলে৷ ১৮ তাৰ পাছত যীচুৱে ক'লে, "ঈশ্বৰৰ ৰাজ্য কিহৰ নিচিনা?
আৰু কিহৰ লগত মই ইয়াৰ তুলনা দিম? ১৯ ই হল এটা সৰু সৰিয়হৰ
বীজৰদৰে; এজন লোকে সেইবোৰ আনি নিজৰ বাগিছাত সিঁচিলে
আৰু তাৰ পৰা গজালি ওলাই বাঢ়ি এজোপা ডাঙৰ গছ হৈ উঠিল;
তাতে আকাশৰ চৰাইবোৰে আহি তাৰ ডালবোৰত বাহ সাজিলে।" ২০
তেওঁ আকৌ কলে, "ঈশ্বৰৰ ৰাজ্যক মই কিহৰ লগত তুলনা কৰিম?
২১ ঈশ্বৰৰ ৰাজ্য খমীৰৰদৰে৷ এগৰাকী মহিলাই তাকে লৈ প্ৰায় তিনি
দোণ ময়দাৰ সৈতে মিহলায় আৰু আটাইখিনি ময়দা নুফুলালৈকে
ঢাকি থয়৷" ২২ এইদৰে তেওঁ নগৰে নগৰে গাঁৱে গাঁৱে উপদেশ দি
দি যিৰূচালেমলৈ গ'ল। ২৩ তেতিয়া কোনো এজনে সুধিলে, "প্ৰভু,
তাকৰ লোকেহে উদ্ধাৰ পাব নে?" তেতিয়া তেওঁ তেওঁলোকক ক'লে
২৪ "ঠেক দুৱাৰেদি সোমাবলৈ বহুত কষ্ট, প্ৰাণপণে চেষ্টা কৰা; মই
তোমালোকক কওঁ, অনেক লোকে তাত সোমাবৰ বাবে যত্ন কৰিব,
কিন্তু নোৱাৰিব৷ ২৫ কাৰণ ঘৰৰ গৰাকীয়ে উঠি দুৱাৰ বন্ধ কৰিব,
তেতিয়া তোমালোকে বাহিৰত থিয় হৈ দুৱাৰত টুকুৰিয়াই ক'বা, প্ৰভু
আমালৈ দুৱাৰ মেলি দিয়ক, তেওঁ উত্তৰ দি আপোনালোকক ক'ব,
'তোমালোক কোন ঠাইৰ মানুহ, সেই বিষয়ে মই নাজানো৷'; ২৬
তেতিয়া তোমালোকে ক'বা, আপোনাৰ সাক্ষাতে আমি ভোজন-পান
কৰিলোঁ আৰু আমাৰ আলি বাটতে আপুনি উপদেশ দিলে। ২৭ কিন্তু
তেওঁ উত্তৰ দি কব, মই তোমালোকক কওঁ, 'এই সকল কৰ মানুহ,
সেই বিষয়ে মই নাজানো; হে দুৰাচাৰীবোৰ মোৰ ওচৰৰ পৰা দূৰ

হ!’ ২৮ তেতিয়া ক্ৰন্দন আৰু দাঁত কৰচনি হ’ব! তাতে তোমালোকে
অব্ৰাহাম, ইচহাক, যাকোব আৰু ভাববাদী সকলক ঈশ্বৰৰ ৰাজ্যত
দেখা পাবা, কিন্তু তোমালোকক বাহিৰত পেলোৱা হ’ব৷ ২৯ তেতে
পূব, পশ্চিম, উত্তৰ, দক্ষিণৰ পৰা মানুহবোৰ আহি ঈশ্বৰৰ ৰাজ্যত
ভোজনত বহিব, ৩০ আৰু চোৱা যি সকল আগ হব, সেই সকলোবোৰ
পাছ পৰিব; আৰু যি সকল পাছ পৰিব তেওঁলোক আগবাঢ়িব৷” ৩১
কিছু সময়ৰ পাছত কেইজনমান ফৰীচীয়ে আহি তেওঁক ক’লে, “তুমি
ইয়াৰ পৰা আঁতৰি যোৱা; কাৰণ হেৰোদে তোমাক বধ কৰিবলৈ
বিচাৰি আছে।” ৩২ যীচুয়ে তেওঁলোকক ক’লে, “যোৱা তোমালোকে
গৈ সেই শিয়ালক এই কথা কোৱাগৈ, মই আজি আৰু কাইলৈ ভূত
খেদাম নৰিয়াক সুস্থ কৰিম, তৃতীয় দিনা মই মোৰ কাৰ্য সিদ্ধ কৰিম।
৩৩ যি কি নহওক আজি, কাইলৈ আৰু পৰহিলৈ মই যাত্ৰাত আগবাঢ়ি
থাকিব লাগিব; কোনো কাৰণতেই এজনো ভাৱবাদী যিৰূচালেমৰ পৰা
দুৰৈত মৃত্যু হব নোৱাৰে৷ ৩৪ হে যিৰূচালেম! যিৰূচালেম! যি জনে
ভাববাদী সকলক বধ কৰে আৰু তোমাৰ ওচৰলৈ পঠোৱা সকলৰ
ওপৰত শিল দলিয়াই। বহু বাৰ মই তোমাৰ এই ল’ৰা ছোৱালীবোৰক
বচাব খুজিছিলোঁ, কুকুৰাই যেনেকৈ নিজ পোৱালিবোৰক ডেউকাৰ
তলত সুৰক্ষা দি ৰাখে তেনেকৈ ৰাখিব খুজিছিলোঁ: কিন্তু আপুনি সন্মত
নহ’ল৷ ৩৫ চোৱা, তোমালোকৰ ঘৰ ধ্বংস হৈ গৈছে; মই তোমালোকক
কওঁ- যেতিয়ালৈকে তোমালোকে এই কথা নোকোৱা ‘প্ৰভুৰ নামেৰে
যি জন আহিছে তেওঁ ধন্য’ তেতিয়ালৈকে তোমালোকে মোক দেখিবলৈ
নাপাবা।”

**১৪** এদিন বিশ্ৰামবাৰে এইদৰে হৈছিল, যীচুৱে ফৰীচী সকলৰ এজন
প্ৰধান অধিকাৰীয়ে ঘৰত পিঠা খাবলৈ সোমাল, তাতে লোক সকলে
তেওঁক ভালদৰে চাবলৈ ধৰিলে। ২ সেই ঠাইত তেওঁৰ আগত এজন
জলোদৰী বেমাৰত আক্ৰান্ত লোক আছিল। ৩ তাতে যীচুৱে মাত লগাই
বিধান পণ্ডিত আৰু ফৰীচী সকলক সুধিলে, “বিশ্ৰামবাৰে সুস্থ কৰিব
পাই নে নাপায়?” ৪ কিন্তু তেওঁলোক নিজম দি থাকিল। তেতিয়া
তেওঁ মানুহ জনক ধৰি আনিলে আৰু সুস্থ কৰি পঠিয়াই দিলে। ৫

আৰু তেওঁলোকক ক'লে, "আপোনালোকৰ কাৰোবাৰ বলধ বা গাধ
নাদত পৰিলে, তৎক্ষণাত নুতুলিব নে?" ৬ তেতিয়া তেওঁলোকে সেই
কথাৰ উত্তৰ দিব নোৱাৰিলে। ৭ তেতিয়া লোক সকলে প্ৰধান ঠাই
মনোনীত কৰি লোৱা দেখি, যীচুৱে তেওঁলোকক দৃষ্টান্ত দি ক'লে, ৮
"কোনোবাই তোমাক বিয়াৰ ভোজলৈ নিমন্ত্ৰণ কৰিলে, প্ৰধান ঠাইত
নবহিবা; কিজানি তোমাতকৈ মান্যৱন্ত কোনো মানুহ নিমন্ত্ৰণ হৈছে; ৯
পাছত তেনে কৰিলে, যি জনে তোমালোক দুয়োকে নিমন্ত্ৰণ কৰিছে;
তেওঁ আহি তোমাক ক'ব, 'এওঁক তোমাৰ ঠাইতো এৰি দিয়া'। তেতিয়া
তুমি লাজত পৰিবা, কাৰণ তুমি গৈ সকলোতকৈ চাপৰ ঠাইত বহিব
লাগিব। ১০ কিন্তু যেতিয়া নিমন্ত্ৰিত হৈও চাপৰ ঠাইত বহিবা; তেতিয়া
তোমাক নিমন্ত্ৰণ কৰা জন আহি দেখিলে ক'ব, 'হে বন্ধু, ওখ ঠাইলৈ
যোৱা'; তেতিয়া তোমাৰ সৈতে ভোজনত বহা সকলোৰে আগত তুমি
মৰ্যদা পাবা। ১১ কিয়নো যি কোনোৱে নিজকে বৰ বুলি মানে, তেওঁক
সৰু কৰা হ'ব; আৰু যি কোনোৱে নিজকে সৰু বুলি মানে, তেওঁক বৰ
কৰা হ'ব। ১২ তেতিয়া তেওঁক নিমন্ত্ৰণ কৰা জনে ক'লে, "দুপৰ বা
নিশাৰ ভোজ পাতিলে, তুমি নিজৰ বন্ধু বা ভাই সকলক বা জ্ঞাতি-কুটুম্ব
বা ধনৱন্ত চুবুৰীয়া সকলক নামাতিবা; তেওঁলোকে তোমাক নিমন্ত্ৰণ
কৰিব, আৰু তোমাৰ প্ৰতিদান ঘূৰাই দিব। ১৩ কিন্তু যেতিয়া ভোজ
পাতা, তেতিয়া দৰিদ্ৰ, কোঙা, খোৰা, অন্ধ এনে লোকক মাতিবা। ১৪
তাতে তোমাক প্ৰতিদান ৰূপে ঘুৰাবলৈ তেওঁলোকৰ একো নোহোৱাত,
তুমি ধন্য হবা। কিয়নো ধাৰ্মিক সকলৰ পুনৰুত্থানত তোমাক প্ৰতিদান
দিয়া হব।" ১৫ যি সকলে যীচুৰ সৈতে ভোজনত বহিছিল, তেওঁলোকৰ
মাজৰ এজনে এই কথা শুনি, তেওঁক ক'লে, "যি কোনোৱে ঈশ্বৰৰ
ৰাজ্যত ভোজন কৰিব তেওঁ ধন্য"। ১৬ কিন্তু যীচুৱে তেওঁক ক'লে,
"এজন মানুহে নিশা বৰ ভোজ পাতি, অনেক লোকক নিমন্ত্ৰণ কৰিলে।
১৭ পাছত ভোজনৰ সময় হোৱাত, তেওঁ নিজৰ এজন দাসক পঠাই
নিমন্ত্ৰিত সকলক ক'লে, 'আহক, এতিয়া ভোজন যুগুত হৈছে'। ১৮
তাতে সকলো লোকে একেভাবেৰে ক্ষমা বিচাৰি তেওঁক ক'বলৈ
ধৰিলে; প্ৰথম জনে তেওঁক ক'লে, 'মই এডৰা মাটি কিনিলোঁ; মই

তোমাক অনুৰোধ কৰিছোঁ; মই সেই মাটি চাবলৈ যাব লাগে’। ১৯ আন
এজনে ক’লে, ‘মই পাঁচ হাল বলধ কিনিলোঁ; সেই বাবে ময়ো তোমাক
অনুৰোধ কৰিছোঁ, মই পথাৰত তাক প্ৰমাণ কৰি চাবলৈ যাওঁ’। ২০
আন এজনে ক’লে, ‘মই এগৰাকীক বিয়া কৰালো, এই কাৰণে যাব
নোৱাৰো’। ২১ তেতিয়া সেই দাসে মহাশয়ৰ আগত লোক সকলে
কোৱাৰ দৰে আহি সম্বাদ দিলে। তেতিয়া ঘৰৰ গৰাকীয়ে ক্ৰুদ্ধ হৈ
তেওঁৰ দাসক কলে, তুমি নগৰৰ আলি আৰু সৰু বাটলৈ বেগাই ওলাই
দৰিদ্ৰ, কোঙা, অন্ধ, খোৰা এনে লোক সকলক ইয়ালৈ মাতি আনাগৈ।
২২ পাছত সেই দাসে ক’লে, হে মহাশয় আপোনাৰ আজ্ঞাৰ দৰে হৈছে;
তথাপি এতিয়াও ঠাই আছে। ২৩ তেতিয়া ঘৰৰ গৰাকীয়ে দাসক
ক’লে, ৰাজবাট আৰু আলিবাটলৈ ওলাই যোৱা আৰু মোৰ ঘৰ ভৰাবলৈ
লোক সকলক উচতাই আনাগৈ। ২৪ কিয়নো মই আপোনালোকক
কওঁ, ‘সেই নিমন্ত্ৰিত লোক সকলৰ এজনেও মোৰ ভোজনৰ আস্বাদ
নাপাব’।” ২৫ তেতিয়া যীচুৰ সঙ্গে সঙ্গে এদল মানুহ গৈ আছিল,
যাওঁতে তেওঁ মুখ ঘূৰাই সেই লোক সকলৰ ফালে চাই ক’লে, ২৬
“কোনোৱে মোৰ ওচৰলৈ আহি নিজৰ মাক, বাপেক, তিৰোতা, সন্তান,
ভায়েক, ভনীয়েক আনকি নিজৰ জীৱনকো অপ্ৰিয় বুলি নামানে,
তেনেহলে তেওঁ মোৰ শিষ্য হ’ব নোৱাৰে। ২৭ যি কোনোৱে নিজৰ ক্ৰুচ
লৈ মোৰ পাছত আহিব নোৱাৰে, তেৰোঁ মোৰ শিষ্য হব নোৱাৰে। ২৮
কিয়নো গড় কাৰেং বান্ধিবলৈ মন কৰিলে, প্ৰথমতে বহি তাৰ কিমান
খৰচ আৰু ইয়াক সম্পূৰ্ণ কৰিবলৈ সমৰ্থ আছে নে নাই, এই বিষয়ে
গণনা নকৰা আপোনালোকৰ মাজত কোন আছে? ২৯ তেওঁ ভেটি
তুলি যদি সম্পূৰ্ণ কৰিব নোৱাৰে, তেনেহলে এই কৰ্ম চাই থকা লোক
সকলে তেওঁক বিদ্ৰূপ কৰি ক’ব ধৰিব, ৩০ ‘এই মানুহ জনে সাজিবলৈ
আৰম্ভ কৰিলে কিন্তু সম্পূৰ্ণ কৰিব নোৱাৰিলে’। ৩১ অথবা অন্য এজন
ৰজাৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ যাওঁতে প্ৰথমতে বহি চিন্তা নকৰিব নে, যে
তেওঁৰ দহ হাজাৰ সৈন্যই বিপক্ষৰ বিশ হাজাৰ সৈন্যৰ বিৰুদ্ধে যুজিব
পাৰিব নে নোৱাৰিব? ৩২ যদি নোৱাৰে তেনেহলে সি জন ৰজা দূৰৈত
থাকোতেই, কটকী পঠিয়াই শান্তিৰ বাবে সন্ধিৰ কথা সুধিব। ৩৩

এতেকে আপোনালোকৰ যি কোনোৱে নিজৰ সৰ্বস্ব ত্যাগ নকৰে, তেওঁ
মোৰ শিষ্য হ'ব নোৱাৰে। ৩৪ লোণ হলে উত্তম; কিন্তু যদি লোণৰো
সোৱাদ নাইকিয়া হয়, তেনেহলে ইয়াক কিহেৰে পুণৰাই সোৱাদ কৰা
হ'ব? ৩৫ সি মাটিৰ বা সাৰৰ ভেটিৰ কাৰণেও উপযুক্ত নহব; তাতে
মানুহে সেইবোৰ বাহিৰলৈ পেলাই দিব। যি জনৰ শুনিবলৈ কাণ আছে,
তেওঁ শুনক।"

**১৫** সেই সময়ত কৰ সংগ্ৰহকৰী আৰু পাপী লোক সকলে যীচুৰ কথা
শুনিবৰ বাবে আহিছিল। ২ তেতিয়া ফৰীচী আৰু বিধানৰ অধ্যাপক
সকলে গৰিহণা কৰি ক'লে, "এই লোক জনে পাপী লোক সকলক গ্ৰহণ
কৰিলে আৰু তেওঁলোকৰ সৈতে ভোজন-পানো কৰে।" ৩ তেতিয়া
তেখেত সকলক এই দৃষ্টান্ত দি তেওঁ ক'লে, "এশ মেষ থকা কোনো
মানুহৰ যদি এটা হেৰায়, ৪ তেনেহলে তেওঁ সেই নিৰানব্বৈটা মেৰক
হাবিৰ মাজতে এৰি হেৰুৱাটোক বিচাৰি নাযাব নে? ৫ আৰু যেতিয়া
হেৰুৱাটোক বিচাৰি পায়, তেতিয়া আনন্দিত হয় আৰু নিজৰ কান্ধত
তুলি ঘৰলৈ আনে। ৬ এইদৰে যেতিয়া তেওঁ ঘৰ আহি পায়, তেতিয়া
বন্ধু আৰু চুবুৰীয়া সকলক মাতি একত্ৰিত কৰি তেওঁলোকক কয়, 'মোৰ
সৈতে আনন্দ কৰা; কিয়নো মই হেৰোৱা মেৰ-পোৱালিটো পালোঁ'। ৭
মই আপোনালোকক কওঁ, সেইদৰে মন-পালটন নকৰা নিৰানব্বৈ জন
ধাৰ্মিক লোকৰ অৰ্থে যিমান আনন্দ, মন পালটোৱা এজন পাপীৰ অৰ্থে,
স্বৰ্গত তাতকৈ অধিক আনন্দ হব। ৮ অথবা কোনো এজনী মহিলাৰ
দহোটা আধলিৰ যদি এটা হেৰাই, তেওঁ চাকি জ্বলাই ঘৰ সাৰি তাক
নোপোৱালৈকে নিবিচাৰিব নে? ৯ আৰু হেৰুৱাতো বিচাৰি পালে, তেওঁ
নিজৰ বন্ধু আৰু চুবুৰীয়া সকলক একলগে গোটায় কয়, 'মোৰ সৈতে
আনন্দ কৰা; কিয়নো যি আধলিটো হেৰুৱাইছিলো সেইটো পালোঁ'।
১০ সেইদৰে মই আপোনালোকক কওঁ, মন পালটোৱা এজন পাপীৰ
অৰ্থে, ঈশ্বৰৰ দূতবোৰৰ সাক্ষাতে আনন্দ হয়।" ১১ তেওঁ পুনৰ ক'লে,
"কোনো এজন মানুহৰ দুজন পুতেক আছিল; ১২ সৰুটোৱে বাপেকক
ক'লে, 'দেউতা ধন, সম্পত্তিৰ যি ভাগ মই পাওঁ, সেই ভাগ মোক
দিয়ক'। তেতিয়া তেওঁ নিজৰ সম্পত্তি সিহঁতক ভগাই দিলে। ১৩ অলপ

দিনৰ পাছত, সেই জন সৰু পুতেকে সকলো গোটাই দূৰ দেশলৈ যাত্ৰা
কৰি তাত লম্পট আচৰণ কৰি সকলো সম্পত্তি অপব্যয় কৰিলে। ১৪
তাতে সকলো ধন ব্যয় হোৱাত, সেই দেশত তেওঁৰ বৰ আকাল হ'ল
আৰু তাতে সৰু পুতেক জনে কষ্ট পাবলৈ ধৰিলে। ১৫ তেতিয়া তেওঁ গৈ
সেই দেশৰ এজন মানুহৰ আশ্ৰয়ত কাম কৰিবলৈ ল'লে। তাতে সেই
মানুহ জনে তেওঁক গাহৰি চৰাবলৈ নিজৰ পথাৰলৈ পঠিয়াই দিলে।
১৬ তেওঁ গাহৰিয়ে খোৱা দানাৰে তৃপ্ত হবলৈ বৰ হেপাঁহ কৰিলে, কাৰণ
তাতে তেওঁক কোনেও একো খাবলৈ দিয়া নাছিল। ১৭ শেষত তেওঁ
চেতনা পাই ক'লে, 'মোৰ পিতৃৰ ওচৰত বহুত চাকৰে পেত ভৰাই
খাবলৈ পাই কিন্তু ইয়াত মই ভোকৰ জ্বালাত মৰিছোঁ। ১৮ মই এতিয়া
দেউতাৰ ঘৰলৈ গৈ এই কথা কম, স্বৰ্গৰ অহিতে আৰু আপোনাৰ
দেখাত পাপ কৰিলোঁ; ১৯ আপোনাৰ পুত্ৰ বুলি মতাৰ যোগ্য নহওঁ;
মোক আপোনাৰ এটা চাকৰৰ নিচিনাকৈ হলেও ৰাখক'। ২০ পাছত
তেওঁ তেনে ভাবেৰেই দেউতাকৰ ওচৰলৈ আহিল। কিন্তু তেওঁ ঘৰৰ
পৰা দূৰৈত থাকোতেই, দেউতাকে দেখিলে আৰু তেওঁক চাই মৰম
লগাত চুমা খালে। ২১ তেতিয়া পুতেকে ক'লে, 'দেউতা স্বৰ্গৰ অহিতে
আৰু আপোনাৰ দেখাত, মই পাপ কৰিলোঁ। আপোনাৰ পুত্ৰ বুলি মোক
মাতিবলৈও মই এতিয়া যোগ্য নহওঁ'। ২২ কিন্তু বাপেকে দাসবোৰক
ক'লে, 'আটাইতকৈ উত্তম বস্ত্ৰ বেগাই আনি এওঁক পিন্ধাই দে; এওঁৰ
হাতত আঙঠি, ভৰিত জোতা দে; ২৩ পোহনীয়া দামুৰিটো আনি মাৰা
আহা, আমি ভোজন কৰি, ৰং কৰোঁহক; ২৪ কিয়নো মোৰ এই লৰা
মৰি গৈছিল আৰু এতিয়া এওঁ জীৱন পাইছে। এওঁ হেৰাই গৈছিল
কিন্তু এতিয়া বিচাৰি পাইছোঁ'। এনেদৰে কৈ তেওঁ আনন্দ কৰিবলৈ
ধৰিলে। ২৫ সেই সময়ত বৰ পুতেক পথাৰত আছিল। পাছত তেওঁ
আহি ঘৰৰ ওচৰ পাই, বাজনা আৰু নচাৰ শব্দ শুনিলে। ২৬ তেতিয়া
দাসবোৰৰ এটাক মাতি সুধিলে, 'এইবোৰ নো কি হৈছে'? ২৭ তেতিয়া
দাস জনে ক'লে, 'তোমাৰ ভায়েৰা আহিল; আৰু তোমাৰ পিতৃয়ে
তেওঁক সুস্থ শৰীৰে পোৱা হেতুকে, পোহনীয়া দামুৰিটো মাৰিব দিলে'।
২৮ তেতিয়া তেওঁৰ খং উঠিল আৰু ভিতৰলৈ যাবলৈ ইচ্ছা নকৰিলে;

পাছত দেউতাক ওলাই আহিল আৰু তেওঁক বিনয়েৰে বুজালে, ২৯
তেতিয়া বৰ পুত্ৰই বাপেকক উত্তৰ দি ক'লে, 'চাওক, ইমান বছৰে মই
আপোনাৰ সেৱা কৰিলোঁ, কেতিয়াও মই আপোনাৰ আজ্ঞা উলঙ্ঘন
কৰা নাই; তথাপি মোৰ বন্ধু সকলৰ লগত প্ৰীতি ভোজ কৰিবলৈ এটি
ছাগলী পোৱালিও আপুনি মোক দিয়া নাই। ৩০ কিন্তু আপোনাৰ সৰু
লৰা বেশ্যাৰ লগত সকলো ধন-সম্পত্তি খৰছ এতিয়া ঘূৰি আহিছে
আৰু আপুনি সি ঘুৰি অাহোতেই তাৰ কাৰণে পোহনীয়া দামুৰিটো
মাৰিলে'। ৩১ তেতিয়া বাপেকে সেই ল'ৰাক ক'লে, 'বোপা তুমি সদায়
মোৰ লগত আছা আৰু মোৰ যি যি আছে, সকলো তোমাৰেই। ৩২ কিন্তু
তোমাৰ এই ভায়েৰা মৰা হৈয়ো আকৌ জীয়াই উঠিল; হেৰোৱা হৈয়ো
পালোঁ; এই কাৰণে আমি প্ৰীতি ভোজ পাতি আনন্দ কৰিব লাগে৷'"

**১৬** যীচুৱে শিষ্য সকলক ক'লে, "এজন ধনী মানুহৰ এজন
ঘৰগিৰীআছিল, এই ঘৰগিৰীয়ে ধনী মানুহ জনৰ সম্পদ নষ্ট কৰিছে
বুলি অভিযোগ আনিলে৷ ২ তেতিয়া সেই ধনী ব্যক্তি জনে ঘৰগিৰী
দায়িত্বত থকা ব্যক্তি জনক মাতি ক'লে, 'এইবোৰ তোমাৰ বিষয়ে
মই কি শুনিছো? তোমাৰ কামৰ হিচাব মোক দিয়া, তুমি আৰু মোৰ
ঘৰগিৰী দায়িত্বত থাকিব নোৱাৰা৷' ৩ তেতিয়া সেই ঘৰগিৰী দায়িত্বত
থকা ব্যক্তি জনে মনতে ভাবিলে, 'এতিয়া মই কি কৰিম, যদি মোক
এই কৰ্মৰ পৰা অাঁতৰাই দিয়ে, মই দিন হাজিৰা কৰি খাবলৈ মোৰ
শক্তি নাই আৰু ভিক্ষা কৰিবলৈও মোৰ লাজ লাগে৷ ৪ মোক ঘৰগিৰী
দায়িত্বৰ পৰা অাঁতৰালেও লোক সকলে যাতে তেওঁলোকৰ ঘৰলৈ
মোক নিমন্ত্ৰণ কৰে, সেই কাৰণে কি কৰিব লাগিব তাক মই জানিছোঁ৷'
৫ তাৰ পাছত তেওঁ ধনী মানুহ জনৰ প্ৰতিজন ধৰুৱাক মাতিলে আৰু
তেওঁ প্ৰথম জনক সুধিলে, 'আমাৰ গৰাকীক কিমান ঋণ পৰিশোধ
কৰিবলৈ আছে?' ৬ তেওঁ ক'লে, 'এশ মোন তেল৷' ঘৰগিৰীয়ে তেওঁক
ক'লে, 'তোমাৰ তালিকা পত্ৰ খন লোৱা আৰু ইয়াতে সোনকালে পঞ্চাশ
লিখা৷' ৭ তাৰ পাছত আন জনক সুধিলে, 'তোমাৰ কিমান দিবলগীয়া
ঋণ আছে?' তেওঁ ক'লে, 'এশ মোন ঘেহুঁ৷' তেতিয়া তেওঁক ক'লে,
'তোমাৰ তালিকা পত্ৰ খন লোৱা আৰু আশী লিখা৷' ৮ তেওঁ সকলো

কাম আগ-পাছ বিচাৰ কৰি বুদ্ধিমান লোকৰ দৰে কৰিছিল৷ এই হেতুকে
ধনী লোক জনে ঘৰগিৰীক শলাগিলে, কিয়নো পোহৰৰ সন্তানতকৈ
এই জগতৰ সন্তানবোৰ নিজ জাতিলৈ অধিক বুদ্ধিৱন্ত৷ (aiōn g165) ৯
মই তোমালোকক কওঁ, অযথাৰ্থ ধনেৰে অাপোনালোকে নিজলৈ বন্ধু
লাভ কৰে, কিন্তু যেতিয়া সম্পদৰ অন্ত পৰিব, তেতিয়া তেওঁলোকে
অাপোনালোকক অনন্ত নিবাসত গ্ৰহণ কৰিব৷ (aiōnios g166) ১০
যিজন অলপ কথাত বিশ্বাসী তেওঁ অধিক কথাতো বিশ্বাসী; যিজন
সৰুতকৈ সৰুত অধৰ্মি, তেওঁ অধিকতো অধৰ্মি৷ ১১ এই কাৰণে
পাৰ্থিৱ ধনত যদি অবিশ্বাসী হোৱা, তেনেহলে প্ৰকৃত ধনত আপোনাক
কোনে বিশ্বাস কৰিব? ১২ যদি অন্য লোকৰ বিষয়ত বিশ্বাসী নহোৱা,
তেনেহলে যি অাপোনাৰ নিজৰ তাক কেনেকৈ অাপোনাক দিব৷
১৩ কোনো চাকৰে দুজন গৰাকীৰ ওচৰত সেৱাকৰ্ম কৰিব নোৱাৰে,
কিয়নো তেতিয়া তেওঁ এজনক ঘিণ কৰি আন জনক প্ৰেম কৰিব,
নাইবা এজনত আসক্ত হৈ আন জনক হেয়জ্ঞান কৰিব৷ আপোনালোকে
ঈশ্বৰ আৰু ধন এই দুয়োটা বিষয়তে একেলগে কৰ্ম কৰিব নোৱাৰা৷”
১৪ এই কথাবোৰ শুনি, ধন লুভীয়া ফৰীচী সকলে তেওঁক উপলুঙা
কৰিলে৷ ১৫ তেতিয়া তেওঁ তেওঁলোকক ক’লে, “আপোনালোকে
মানুহৰ আগত নিজকে নিজে ধাৰ্মিক প্ৰমাণিত কৰোঁতা, কিন্তু ঈশ্বৰে
আপোনালোকৰ হৃদয় জানে; এতেকে মানুহৰ মাজত যি উত্তম, ঈশ্বৰে
দেখাত সেয়ে ঘিণলগীয়া৷ ১৬ যোহন অহালৈকে বিধান আৰু ভাববাদী
সকলৰ বাক্য আছিল; তেতিয়াৰ পৰা ঈশ্বৰৰ ৰাজ্যৰ শুভবাৰ্তা ঘোষণা
কৰা হৈছে, প্ৰতিজনে অতি আগ্ৰহেৰে সেই ৰাজ্যত প্ৰৱেশ কৰিবলৈ
আপ্ৰাণ চেষ্টা কৰিছে৷ ১৭ কিন্তু বিধানৰ এক বিন্দু লুপ্ত হোৱাতকৈ
আকাশ আৰু পৃথিৱী লুপ্ত হোৱা সহজ৷ ১৮ যি কোনোৱে নিজৰ পত্নিক
বিবাহ বিচ্ছেদ কৰি অন্য মহিলাক বিবাহ কৰায়, তেওঁ ব্যভিচাৰ কৰে;
যদি সেই পৰিত্যক্তা মহিলা গৰাকীক আন কোনো লোকে বিয়া পাতে
তেৰোঁ ব্যভিচাৰ কৰে৷ ১৯ কোনো এজন ধনী মানুহ আছিল৷ তেওঁ
বেঙেনা বৰণীয়া শণ সূতাৰ কাপোৰ পিন্ধি, প্ৰতিদিনে নিজৰ বহুত
সম্পত্তিত উল্লাস কৰি আছিল৷ ২০ লাজাৰ নামেৰে গোটেই শৰীৰত ঘা

লগা এজন মগনীয়া সেই ধনী ব্যক্তি জনৰ দুৱাৰত থোৱা হৈছিল৷ ২১
সেই ধনী ব্যক্তি জনৰ টেবুলৰ তলত পৰা খোৱা বস্তুৰে পেট পুৰাবলৈ
মগনীয়া জনে আশা কৰি ৰৈ থাকিছিল৷ তাতে কুকুৰবোৰেও আহি
তাৰ ঘাঁবোৰ চেলেকি থাকে৷ ২২ কালক্ৰমে সেই মগনীয়া জন মৰিল,
স্বৰ্গৰ দূত সকলে আহি অব্ৰাহামৰ কোলালৈ তেওঁক লৈ গ'ল৷ পাছত
ধনী ব্যক্তি জনো মৰিল তাতে তেওঁক মৈদাম দিয়া হ'ল৷ ২৩ ধনী
ব্যক্তি জনে নৰকত অতি যাতনা পাই ওপৰলৈ চকু তুলি চাই বহু
দূৰত অব্ৰাহাম আৰু তেওঁৰ কোলাত লাজাৰক দেখা পালে৷ **(Hadēs
g86)** ২৪ তেতিয়া ধনী ব্যক্তি জনে চিঞৰি ক'লে, 'পিতৃ অব্ৰাহাম, মোৰ
প্ৰতি দয়া কৰক আৰু লাজাৰক ইয়ালৈ পঠাই দিয়ক৷ তেওঁ আঙুলিৰ
আগ পানীত জুবুৰিয়াই, মোৰ জিভা চেঁচা কৰিবলৈ তেওঁক পঠিয়াই
দিয়ক৷' ২৫ কিন্তু অব্ৰাহামে তেওঁক ক'লে, 'বোপা, তুমি জীৱনৰ আয়ুস
কালত যেনেদৰে নিজক সুখত ৰাখিবৰ বাবে ভাল বস্তু পাইছিলা,
সেইদৰে লাজাৰে তাত দুখ পাইছিল, এতিয়া সেই কথা সোঁৱৰণ
কৰা; কিন্তু এতিয়া তেওঁ ইয়াত শান্তিত আছে আৰু তুমি হলে যাতনা
পাই আছা৷ ২৬ এতিয়া তোমাৰ আৰু আমাৰ মাজত এক মহাশূন্য
স্থাপন কৰা আছে৷ আমি ইচ্ছা কৰিলেও ইয়াৰ পৰা তুমি থকা ঠাইলৈ
যাব নোৱাৰো৷ আৰু তোমাৰ তাৰ পৰা ইচ্ছা কৰিলেও কোনো ইয়ালৈ
আহিব নোৱাৰা'। ২৭ ধনী ব্যক্তি জনে ক'লে, "হে পিতৃ, তেনেহলে
দয়া কৰি লাজাৰক মোৰ দেউতাৰ ঘৰলৈ পঠিয়াই দিয়ক৷ ২৮ তাতে
মোৰ পাঁচ জন ভাই আছে, সিহঁতক যেন তেওঁ গৈ, আহিবলগীয়া
এই যাতনাৰ ঠাইৰ বিষয়ে সাক্ষ্য দি সাৱধান কৰি দিয়ে৷ ২৯ কিন্তু
অব্ৰাহামে তেওঁক ক'লে, 'তেওঁলোকৰ বাবে মোচি আৰু ভাববাদী সকল
আছে; তেওঁলোকৰ কথা শুনক৷' ৩০ তেতিয়া সেই ধনী ব্যক্তি জনে
ক'লে, 'তেনে নহওক পিতৃ অব্ৰাহাম, কিন্তু মৃত সকলৰ মাজৰ পৰা
যদি কোনো এজন তেওঁলোকৰ ওচৰলৈ যায়, তেনেহলে তেওঁলোকে
মন পালটাব৷' ৩১ তেতিয়া তেওঁক অব্ৰাহামে ক'লে, 'যদি তেওঁলোকে
মোচি আৰু ভাববাদী সকলৰ বাক্য নুশুনে, তেনেহলে মৃত সকলৰ
মাজৰ পৰা কোনো এজন উঠি গৈ কলেও তেওঁলোকে নুশুনিব৷'"

১৭ যীচুৱে তেওঁৰ শিষ্য সকলক ক'লে, "যিহৰ দ্বাৰা পাপ হয়, সেয়া
আহিবই; কিন্তু যাৰ দ্বাৰা আহে, তেওঁ সন্তাপৰ পাত্ৰ। ২ সৰু সকলৰ
মাজৰ এজনকো যদি কোনোৱে পাপৰ পথত লৈ যায়, তেনেহলে
তেওঁৰ ডিঙিত জাঁত আৰি সাগৰত পেলাই দিয়া ভাল। ৩ তোমালোকে
নিজৰ বিষয়ত সাৱধান হোৱা। তোমাৰ ভায়ে যদি পাপ কৰে, তেওঁক
তিৰস্কাৰ কৰা আৰু তেওঁ যদি অনুতাপ কৰে, তেনেহলে তেওঁক
ক্ষমা কৰা। ৪ তেওঁ যদি এদিনৰ ভিতৰত তোমাৰ বিৰুদ্ধে সাত বাৰ
পাপ কৰে আৰু সাত বাৰেই যদি উভতি আহি কয়, 'মই মন-পালটন
কৰিছোঁ'; তেতিয়াও তেওঁক ক্ষমা কৰিবা।" ৫ তেতিয়া পাঁচনি সকলে
প্ৰভুক ক'লে, "আমাৰ বিশ্বাস বঢ়াই দিয়ক।" ৬ তেতিয়া প্ৰভুৱে ক'লে,
"এটি সৰিয়হ গুটিৰ সমান যদি তোমালোকৰ বিশ্বাস হয়, তেনেহলে
তুমি এই নুনি গছক ক'ব পাৰিবা 'উভালি যা আৰু সাগৰত ৰোৱা হ';
তেতিয়া দেখিবা সি তোমাৰ কথা শুনিছে। ৭ তোমালোকৰ মাজত
কাৰোবাৰ দাসে যেতিয়া হাল বাই, বা মেষ পালন কৰি পথাৰৰ পৰা
আহে, তেতিয়া তেওঁক ক'বা নে, 'তুমি এতিয়াই আহা, ভোজনত বহা।'
৮ তাতকৈ তেওঁক নকবা নে, 'মোৰ খোৱা বস্তু যুগুত কৰা আৰু মই খাই
বৈ আজৰি নহওঁ মানে, কঁকালত গামোচা বান্ধি মোৰ আলপৈচান ধৰা;
পাছত তুমিও খোৱা-বোৱা কৰিবা।' ৯ সেই দাসে তেওঁৰ আজ্ঞা দিয়া
অনুসাৰে কাৰ্য কৰা কাৰণে তেওঁক কি ধন্যবাদ দিব? ১০ তোমালোকৰ
বাবেও সেই একেই কথাৰ প্ৰযোজ্য। তোমালোকক যি কাৰ্য কৰিবলৈ
আজ্ঞা দিয়া হৈছে, সেইদৰে সকলোবোৰ কাৰ্য কৰাৰ পাছত ক'বা,
'আমি অযোগ্য দাস, আমাৰ কৰ্তব্যহে আমি কৰিলোঁ'।" ১১ যীচুৱে
যিৰূচালেমলৈ যাওঁতে, চমৰীয়া আৰু গালীল প্ৰদেশৰ ওচৰেদি গৈ
আছিল। ১২ সেই সময়ত এখন গাঁৱত সোমাওঁতে দহ জন কুষ্ঠ
ৰোগীয়ে দূৰত থিয় হৈ তেওঁক দেখা দি, ১৩ বৰ মাতেৰে ক'লে, "হে
যীচু, মহাশয়, আমাক দয়া কৰক।" ১৪ তেতিয়া তেওঁ তেওঁলোকক
দেখি ক'লে, "তোমালোকে গৈ পুৰোহিত সকলৰ আগত নিজকে নিজে
দেখুওৱাগৈ।" পাছত তেওঁলোক গৈ থাকোতে সুস্থ হ'ল। ১৫ তাতে
তেওঁলোকৰ মাজৰ এজনে, নিজকে সুস্থ হোৱা দেখি, বৰ মাতেৰে

ঈশ্বৰৰ প্ৰশংসা কৰি উলটি আহিল; ১৬ আৰু যীচুৰ চৰণত উবুৰি হৈ
পৰি তেওঁৰ স্তুতি কৰিবলৈ ধৰিলে; সেই লোক জন, চমৰীয়া আছিল।
১৭ ইয়াকে দেখি যীচুৱে ক'লে, "তোমালোক দহ জনেই সুস্থ নহ'লা
নে? তেনেহলে আন ন জন ক'ত? ১৮ এই অন্য জাতিৰ মানুহ জনৰ
বাহিৰে আন কোনো এজনো কিয় ঈশ্বৰৰ মহিমাক স্তুতি কৰিবলৈ
উলটি নাহিল?" ১৯ পাছত যীচুৱে তেওঁক ক'লে, "উঠা আৰু যোৱা;
তোমাৰ বিশ্বাসেই তোমাক সুস্থ কৰিলে৷" ২০ ঈশ্বৰৰ ৰাজ্য কেতিয়া
আহিব বুলি ফৰীচী সকলে এই কথা সোধাত, তেওঁ উত্তৰ দি ক'লে,
২১ "ঈশ্বৰৰ ৰাজ্য দৃশ্যৰূপে নাহে; ইয়াতে বা সেইখিনিতে চোৱা, এনে
কথা কোনোৱে নকব; কাৰণ চাওক, ঈশ্বৰৰ ৰাজ্য আপোনালোকৰ
ভিতৰতে আছে।" ২২ পাছত যীচুৱে তেওঁৰ শিষ্য সকলক ক'লে, "যি
কালত তোমালোকে মানুহৰ পুত্ৰৰ এটা দিন দেখিবলৈ ইচ্ছা কৰিবা,
কিন্তু দেখিবলৈ নাপাবা, সেই কাল আহিব। ২৩ মানুহবোৰে তেতিয়া
চোৱা, সৌ তাত আছে; চোৱা, ইয়াত আছে, এই বুলি তোমালোকক
ক'ব; কিন্তু তোমালোক নাযাবা আৰু তেওঁলোকৰ পাছে পাছে নচলিবা।
২৪ কিয়নো বিজুলীয়ে যেনেকৈ আকাশৰ এফালে ওলালে, আকাশৰ
আন ফাললৈকে পোহৰ কৰে, মানুহৰ পুত্ৰৰ দিনতো সেইদৰেই হ'ব।
২৫ কিন্তু প্ৰথমতে তেওঁ অনেক দুখ ভোগ কৰি, এই কালৰ মানুহৰ
দ্বাৰাই অগ্ৰাহ্য হ'ব লাগিব। ২৬ নোহৰ সময়ত যেনেকুৱা হৈছিল,
মানুহৰ পুত্ৰৰ সময়তো তেনেকুৱাই হ'ব। ২৭ নোহ জাহাজত উঠা
দিনলৈকে লোক সকলে ভোজন-পান কৰিছিল, বিয়া কৰিছিল আৰু
বিয়াও দিছিল। ২৮ সেইদৰে লোটৰ সময়তো লোক সকলে ভোজন-
পান কৰিছিল, কিনা-বেচা, ৰুৱা-পোতা আৰু ঘৰ সাজিছিল। ২৯ কিন্তু
যিদিনা লোট চদোমৰ পৰা ওলাই আহিল, সেই দিনাই আকাশৰ পৰা
জুই আৰু গন্ধক বৰষিল আৰু সেই ঠাইৰ সকলোকে ধ্বংস কৰিলে।
৩০ সেইদৰে মানুহৰ পুত্ৰ প্ৰকাশিত হোৱা দিনতো হ'ব। ৩১ সেইদিনা
কোনোবা যদি ঘৰৰ ওপৰত আছে কিন্তু তেওঁৰ নিজৰ বস্তুবোৰ যদি
ঘৰৰ ভিতৰত আছে, তেনেহলে তেওঁ বস্তুবোৰ আনিবলৈ নানামক।
তেনেদৰে কোনোবা যদি পথাৰত আছে, তেৱোঁ কোনো বস্তু লবলৈ

উলটি নাহক। ৩২ লোটৰ তিৰোতাক সোঁৱৰা। ৩৩ যি কোনোৱে নিজৰ
জীৱন ৰক্ষা কৰিবলৈ বিচাৰে, তেওঁ তাক হেৰুৱাব। কিন্তু যি কোনোৱে
জীৱন হেৰুৱায়, তেওঁ জীয়াই থাকিব। ৩৪ মই তোমালোকক কওঁ, সেই
ৰাতি দুজন মানুহ একে শয্যাতে থাকোঁতে, এজনক গ্রহণ কৰা হ'ব,
আন জনক ত্যাগ কৰা হ'ব। ৩৫ দুজনী তিৰোতাই একেলগে জাঁতেৰে
ডলি থাকোঁতে এজনীক গ্রহণ কৰা হ'ব। ৩৬ দুজন মানুহ পথাৰত
থাকোঁতে এজনক গ্রহণ কৰা হ'ব, এজনক ত্যাগ কৰা হ'ব।" ৩৭
তেতিয়া তেওঁলোকে উত্তৰ দি তেওঁক সুধিলে, "ক'ত প্ৰভু?" তেতিয়া
তেওঁ তেওঁলোকক ক'লে, "য'ত মৰা শ থাকে, তাতে শগুনো গোট
খায়।"

**১৮** নিৰাশ নোহোৱাকৈ তেওঁলোকে যেন সকলো সময়তে প্রার্থনা
কৰা উচিত, এই বিষয়ে বুজি পাবৰ কাৰণে যীচুৱে তেওঁলোকক এই
দৃষ্টান্ত দি ক'লে, ২ "এখন নগৰত ঈশ্বৰলৈ ভয় নকৰা, মানুহকো
নমনা, এনে এজন বিচাৰক আছিল। ৩ সেই নগৰত এজনী বাৰী
মহিলাও আছিল; তেওঁ সেই বিচাৰকৰ ওচৰলৈ আহি নিবেদন কৰিলে
যে, 'অন্যায়ৰ প্ৰতিকাৰ কৰি মোৰ বিপক্ষৰ পৰা মোক উদ্ধাৰ কৰক'।
৪ তাতে তেওঁ কিছু দিনলৈ সন্মত নহ'ল; কিন্তু পাছত নিজৰ মনতে
ক'লে, 'মই যদিও ঈশ্বৰক ভয় নকৰোঁ, আৰু মানুহকো নামানো, ৫
তথাপি এই বিধৱা গৰাকীয়ে মোক বাৰে বাৰে আমনি দিয়াৰ কাৰণে,
অন্যায়ৰ প্ৰতিকাৰ কৰি উদ্ধাৰ কৰিম; নহলে তেওঁ পুণৰ আহি মোক
আমনি দিব'।" ৬ পাছত প্ৰভুৱে ক'লে, "সেই অধাৰ্মিক বিচাৰকে কি
কয়, 'শুনা। ৭ তেনেহলে ঈশ্বৰলৈ দিনে-ৰাতিয়ে কাকুতি কৰা তেওঁৰ
যি মনোনীত লোকৰ ভালৰ অৰ্থে তেওঁ শত্ৰুক শাস্তি দিবলৈ পলম
কৰে, তেওঁ অন্যায়ৰ প্ৰতিকাৰ কৰি সেই লোকক উদ্ধাৰ নকৰিব নে?'
৮ মই তোমালোকক কওঁ, তেওঁ সোনকালে আহিব আৰু অন্যায়ৰ
প্ৰতিকাৰ কৰি তেওঁলোকক উদ্ধাৰ কৰিব। তথাপি যেতিয়া মানুহৰ
পুত্ৰ আহিব, তেতিয়া পৃথিৱীত বিশ্বাস পাব নে?" ৯ ইয়াৰ পাছত,
নিজকে ধাৰ্মিক বুলি ভবা আৰু আন লোকক হেয়জ্ঞান কৰা, এনে
কিছুমান লোকৰ উদ্দেশ্যে তেওঁ এই দৃষ্টান্ত দিলে। ১০ "দুজন মানুহে

মন্দিৰত প্ৰাৰ্থনা কৰিবলৈ গ'ল; তেওঁলোকৰ এজন ফৰীচী, আন জন
কৰ সংগ্ৰহকৰী। ১১ ফৰীচীয়ে থিয় হৈ নিজৰ মতে এইদৰে প্ৰাৰ্থনা
কৰিলে, 'হে ঈশ্বৰ, মই আন মানুহৰ নিচিনা অপহাৰক, অন্যায়কাৰী,
ব্যভিচাৰী, নাইবা এই কৰ সংগ্ৰহকাৰী জনৰ নিচিনাও নহওঁ, এই
কাৰণে মই তোমাৰ স্তুতি কৰোঁ। ১২ মই সপ্তাহত দুবাৰ লঘোন দিওঁ;
আৰু মোৰ সকলো আয়ৰ দশম ভাগ দান কৰোঁ'। ১৩ কিন্তু কৰ
সংগ্ৰহকাৰী সকলে আতৰত থিয় হৈ, স্বৰ্গৰ ফালে চকু তুলিবলৈ সাহস
নকৰিলে, কিন্তু নিজৰ হিয়া ভুকুৱাই ভুকুৱাই ক'লে, 'হে ঈশ্বৰ, মই
এজন পাপী; মোলৈ প্ৰসন্ন হৈ দয়া কৰক'। ১৪ মই তোমালোকক কওঁ,
সেই ব্যক্তি জন ধাৰ্মিক বুলি প্ৰমাণিত নহব, কিন্তু এই জনহে প্ৰমাণিত
হৈ নিজৰ ঘৰলৈ গ'ল; কিয়নো যি কোনোৱে নিজকে নিজে বৰ বুলি
মানে, তেওঁক সৰু কৰা হ'ব; কিন্তু যি কোনোৱে নিজকে নিজে সৰু
বুলি মানে, তেওঁক বৰ কৰা হ'ব।" ১৫ এদিন লোক সকলে নিজ
নিজ শিশুবোৰক যীচুৱে চুই আশীৰ্বাদ কৰিবৰ কাৰণে তেওঁৰ ওচৰলৈ
আনিলে; কিন্তু শিষ্য সকলে এইবোৰ দেখি তেওঁলোকক ডবিয়ালে।
১৬ তেতিয়া যীচুৱে তেওঁলোকক ওচৰলৈ মাতি ক'লে, "শিশুবোৰক
মোৰ ওচৰলৈ আহিবলৈ দিয়া, নিষেধ নকৰিবা: কিয়নো ঈশ্বৰৰ ৰাজ্য
এনেকুৱা লোকৰ বাবে।" ১৭ এই দৃষ্টান্তটো দিয়াৰ পাছত তেওঁ ক'লে,
"তোমালোকক স্বৰূপকৈ কওঁ, যি কোনোৱে শিশুবোৰৰ নিচিনা হৈ
ঈশ্বৰৰ ৰাজ্য গ্ৰহণ নকৰে, তেওঁ তাত কোনোমতে সোমাবলৈ নাপাব।"
১৮ এজন ধনী শাসনকৰ্তাই সুধিলে, "হে সৎ গুৰু, মই কি কৰি অনন্ত
জীৱনৰ অধিকাৰী হ'ম?" **(aiōnios g166)** ১৯ যীচুৱে ক'লে, "কিয়
মোক সৎ বুলি কৈছা? ঈশ্বৰৰ বাহিৰে সৎ কোনো নাই। ২০ তুমি
ঈশ্বৰৰ আজ্ঞাবোৰ জানা নে, ব্যভিচাৰ নকৰিবা, নৰ-বধ নকৰিবা, চুৰ
নকৰিবা, মিছা সাক্ষ্য নিদিবা, তোমাৰ পিতৃ-মাতৃক সন্মান কৰিবা।"
২১ তাতে শাসনকৰ্তাই ক'লে, "ডেকা কালৰে পৰা মই এই সকলোবোৰ
পালন কৰি আছোঁ।" ২২ যীচুৱে এই কথা শুনি তেওঁক ক'লে, "এতিয়াও
এটা বিষয়ত তোমাৰ ক্ৰুটি আছে; তোমাৰ যি যি আছে, আটাইবোৰ
বেচি দৰিদ্ৰ সকলক বিলাই দিয়া, তেতিয়াহে স্বৰ্গত তোমাৰ ধন হব;

তাৰ পাছত মোৰ পাছে পাছে আহা।” ২৩ তেওঁ যেতিয়া এই কথা
শুনিলে, তেতিয়া তেওঁ শোকাতুৰ হ’ল, কিয়নো তেওঁ বৰ ধনী আছিল।
২৪ তেতিয়া যীচুৱে তেওঁক দেখি ক’লে, “ধনৱন্ত লোক সকল ঈশ্বৰৰ
ৰাজ্যত সোমোৱা কেনে দুঃসাধ্য! ২৫ কিয়নো ধনী লোক ‘ঈশ্বৰৰ
ৰাজ্যত’ সোমোৱাতকৈ, বেজীৰ বিন্ধাৰে উট সৰকি যোৱাই সহজ।”
২৬ যি সকল লোকে এই কথা শুনিলে তেওঁলোকে ক’লে, “তেনেহলে
কোনে পৰিত্ৰাণ পাব?” ২৭ যীচুৱে উত্তৰ দি ক’লে, “যিবোৰ কথা
মানুহৰ দেখাত অসাধ্য, সেইবোৰ কৰ্ম ঈশ্বৰৰ দৃষ্টিত সাধ্য।” ২৮
তেতিয়া পিতৰে ক’লে, “চাওক, আমি নিজৰ সকলো এৰি আপোনাৰ
পাছে পাছে আহিলোঁ।” ২৯ তেতিয়া যীচুৱে তেওঁলোকক ক’লে, “মই
তোমালোকক স্বৰূপকৈ কওঁ, ঈশ্বৰৰ ৰাজ্যৰ কাৰণে যি কোনোৱে ঘৰ,
তিৰোতা, ভায়েক, মাক-বাপেক, বা সন্তান সকলক ত্যাগ কৰে, ৩০
এই পৃথিৱীত তেওঁৰ অধিক গুণ, আৰু পৰকালত ‘অনন্ত জীৱন’ নাপাব,
এনে কোনো নাই।” (aiōn g165, aiōnios g166) ৩১ পাছত তেওঁ বাৰ জন
পাঁচনিক লগত লৈ তেওঁলোকক ক’লে, “চোৱা, আমি যিৰূচালেমলৈ
যাত্ৰা কৰিছোঁ; তাতে ভাববাদী সকলৰ দ্বাৰাই যি যি লিখা আছে, সেই
সকলো কথা মানুহৰ পুত্ৰত সিদ্ধ হ’ব। ৩২ কিয়নো অনা-ইহুদী লোকৰ
হাতত তেওঁক শোধাই দিয়া হ’ব; তাতে মানুহে তেওঁক বিদ্ৰূপ কৰিব,
অপমান কৰিব, তেওঁৰ গাত থুই পেলাব, ৩৩ আৰু চাবুকেৰে কোবাই
তেওঁক বধ কৰিব; পাছত তিনি দিনৰ দিনা তেওঁ আকৌ উঠিব।”
৩৪ কিন্তু এই কথা তেওঁ কিয় ক’লে, সেই বিষয়ে তেওঁলোকে একো
নুবুজিলে; তেওঁলোকৰ পৰা এই বাক্য গোপন কৰি ৰখাৰ বাবে, যি
বাক্য কোৱা হ’ল; সেই বাক্যৰ বিষয়ে তেওঁলোকে একো নাজানিলে।
৩৫ পাছত তেওঁ যিৰীহোৰ ওচৰ পোৱাত, এজন অন্ধই বাটৰ কাষত
বহি ভিক্ষা কৰি আছিল। ৩৬ তাতে মানুহৰ দল এটাই সেই বাটেদি
যোৱা শুনি, তেওঁ তাৰ কাৰণ সুধিলে। ৩৭ তেতিয়া তেওঁলোকে তেওঁক
ক’লে, “নাচৰতীয়া যীচু এই বাটেদি গৈ আছে।” ৩৮ তেতিয়া তেওঁ
ৰিঙিয়াই ক’লে, “হে যীচু, দায়ুদৰ সন্তান, মোক দয়া কৰক।” ৩৯
তাতে তেওঁক মনে মনে থাকিবৰ বাবে আগে আগে যোৱা মানুহবোৰে

আহি তেওঁক ডবিয়ালে; কিন্তু তেওঁ তেতিয়া বেচিকৈ আটাহ পাৰি
ক'লে, “হে দায়ুদৰ সন্তান, মোক দয়া কৰক।” ৪০ তেতিয়া যীচু থমকি
ৰ'ল আৰু তেওঁৰ ওচৰলৈ মানুহ জনক আনিবলৈ আজ্ঞা দিলে। ৪১
পাছত তেওঁ ওচৰলৈ অহাত, যীচুৱে তেওঁক সুধিলে, “মই কি কৰাটো
তোমাৰ ইচ্ছা?” তেতিয়া তেওঁ ক'লে, “হে প্ৰভু, মই যেন দেখিবলৈ
পাওঁ।” ৪২ তেতিয়া যীচুৱে তেওঁক ক'লে, “তুমি দৃষ্টি পোৱা; তোমাৰ
বিশ্বাসেই তোমাক ৰক্ষা কৰিলে।” ৪৩ সেই সময়ত তেওঁ দৃষ্টি পালে
আৰু ঈশ্বৰৰ প্ৰশংসা কৰি তেওঁৰ পাছে পাছে গ'ল; মানুহবোৰে এই
কাৰ্য দেখা পাই ঈশ্বৰৰ স্তুতি কৰিব ধৰিলে।

**১৯** পাছত যীচু যিৰীহো নগৰত সোমাই সেই নগৰৰ মাজেদি যাবলৈ
ধৰিলে। ২ সেই নগৰত চক্কেয় নামৰ এজন মানুহ আছিল৷ তেওঁ কৰ
সংগ্ৰহক সকলৰ প্ৰধান আৰু ধনী আছিল। ৩ তেওঁ যীচুক চাবলৈ
অৰ্থাৎ যীচু নো কোন হয় জানিবৰ বাবে, তেওঁক চাবলৈ বহুত চেষ্টা
কৰিলে, কিন্তু মানুহৰ ভিৰ বেছি হোৱা বাবে যীচুক দেখা নাপালে,
কাৰণ তেওঁ চুটি-চাপৰ লোক আছিল। ৪ সেয়েহে তেওঁ সকলোৰে
আগত বেগাই গ'ল আৰু যি পথেৰে যীচু আহি আছিল, সেই পথৰ
কাষত থকা ডিমৰু গছ এজোপাত উঠি যীচুক চাবলৈ ধৰিলে। ৫ পাছত
যীচুৱে সেই ঠাই পাওঁতে, ওপৰলৈ চাই তেওঁক দেখি ক'লে, “হে
চক্কেয়, বেগাই নামি আহা, কিয়নো মই আজি তোমাৰ ঘৰত থাকিব
লাগে৷” ৬ তেতিয়া তেওঁ বেগাই নামি আহি, আনন্দেৰে তেওঁক আলহী
কৰি ৰাখিবলৈ লৈ গ'ল। ৭ তাকে দেখি সকলোৱেই ভোৰভোৰাই
কবলৈ ধৰিলে, “এওঁ এজন পাপী মানুহৰ ঘৰত আলহী হ'বলৈ গৈছে।”
৮ তেতিয়া চক্কেয়ই প্ৰভুৰ আগত থিয় হৈ ক'লে, “হে প্ৰভু, চাওক মোৰ
যি সম্পত্তি আছে, তাৰ আধাখিনি দৰিদ্ৰ লোকক দান কৰোঁ আৰু মিছা
অপবাদ দি, কোনো মানুহৰ পৰা যদি কিবা লৈছোঁ, তেনেহলে তাৰ
চাৰি গুণ ওভোতাই দিওঁ।” ৯ তেতিয়া যীচুৱে তেওঁক ক'লে, “আজি
এই ঘৰলৈ পৰিত্ৰাণ আহিল; কিয়নো এৰোঁ অব্ৰাহামৰেই সন্তান। ১০
কাৰণ, যি হেৰাল, তাক বিচাৰি ৰক্ষা কৰিবলৈ মানুহৰ পুত্ৰ আহিল।”
১১ যেতিয়া লোক সকলে এইবোৰ কথা শুনি আছিল, তেতিয়া তেওঁ

যিৰূচালেমৰ ওচৰ পোৱাত আৰু ঈশ্বৰৰ ৰাজ্য এতিয়াই প্ৰকাশিত হ’ব
বুলি তেওঁলোকে ভাবি থকাত, তেওঁ পুনৰ এটা কথা দৃষ্টান্ত দি ক’বলৈ
ধৰিলে, ১২ “এজন ভদ্ৰবংশীয় লোকে তেওঁৰ নিজৰ বাবে ৰাজপদ
লৈ উলটি আহিবৰ বাবে দূৰ ৰাজ্যলৈ যাত্ৰা কৰিলে। ১৩ তেওঁ যোৱা
সময়তে তেওঁৰ দহ জন দাসক মাতি আনি, তেওঁলোকক দহ মিনা ৰূপ
দি ক’লে, ‘মই আহি নোপোৱালৈকে বেপাৰ কৰিবা’ ১৪ কিন্তু তেওঁৰ
স্বদেশীয় সকলে তেওঁক ঘিণ কৰি, তেওঁৰ পাছত দূত পঠাই কোৱালে,
বোলে, ‘আমাৰ ওপৰত ৰাজত্ব কৰিবলৈ, সেই জন মানুহ আমাক
নালাগে’। ১৫ তাৰ পাছত তেওঁ দূৰ ৰাজ্যৰ পৰা ৰাজপদ লৈ উলতি
আহিল আৰু যি সকল দাসক তেওঁ ধন দি গৈছিল, তেওঁলোকক মাতি
পঠালে৷ তাৰ পাছত তেওঁলোকে কি ব্যৱসায় কৰিলে; সেই বিষয়ে
জানিবৰ বাবে তেওঁলোকক শুধিব ধৰিলে৷ ১৬ তেতিয়া প্ৰথম জন দাসে
আহি ক’লে, ‘হে প্ৰভু, আপোনাৰ মিনাৰ দ্বাৰাই দহ মিনা লাভ পোৱা
হ’ল’। ১৭ তাতে তেওঁ তাক ক’লে, ‘চাবাইচ, উত্তম দাস; তুমি অতি
অলপ বিষয়তে বিশ্বাসী হ’লা; তুমি দহ খন নগৰৰ ওপৰত অধিকাৰী
হোৱা’। ১৮ পাছত দ্বিতীয় জন দাসে আহি ক’লে, ‘হে প্ৰভু, আপোনাৰ
মিনাৰ দ্বাৰাই পাঁচ মিনা হ’ল’। ১৯ তাতে ভদ্ৰবংশীয় লোক জনে
তেওঁক ক’লে, ‘তুমিও পাঁচ খন নগৰৰ ওপৰত ক্ষমতাপ্ৰাপ্ত হোৱা’। ২০
আৰু আন এজন দাসে আহি ক’লে, ‘হে প্ৰভু, মই আপোনাৰ মিনা
গামোচাতে বান্ধি ৰাখিছোঁ, এয়া চাওক, ২১ কিয়নো আপুনি কঠিন
মানুহ, যিহক থৈ যোৱা নাই, তাকে তোলে আৰু যিহক বোৱা নাই,
তাকে দায়; এই হেতুকে মই আপোনালৈ ভয় কৰিলোঁ’। ২২ ভদ্ৰবংশীয়
লোক জনে তেওঁক ক’লে, ‘হেৰ দুষ্ট দাস, তোৰ নিজৰ মুখৰ কথাৰেই
তোৰ সোধ-বিচাৰ কৰিম; মই কঠিন মানুহ, যিহকে থোৱা নাই, তাকে
তোলোঁ, যিহকে বোৱা নাই, তাকে দাওঁ, ইয়াকে তই জানিছিলি; ২৩
তেনেহলে কি কাৰণে মোৰ ধন মহাজনৰ হাতত নথলি? মহাজনৰ
তাত থোৱা হ’লে, মই আহি সুতে সৈতে তাক উলিয়াই ললোহেঁতেন’?
২৪ পাছত ওচৰত থিয় হৈ থকা সকলক তেওঁ ক’লে, ‘ইয়াৰ পৰা সেই
মিনা লৈ, যাৰ দহ মিনা আছে, তাক দিয়া’। ২৫ তেতিয়া তেওঁলোকে

তেওঁক ক'লে, 'হে প্ৰভু, তাৰ দহ মিনা আছেই'। ২৬ 'মই তোমালোকক
কওঁ, যাৰ আছে, তেওঁকেই দিয়া হ'ব; কিন্তু যাৰ নাই, তেওঁৰ যি আছে,
তাকো তেওঁৰ পৰা নিয়া হ'ব। ২৭ কিন্তু মোৰ সেই যি শত্ৰুবোৰে,
সিহঁতৰ ওপৰত মই ৰাজত্ব কৰাতো নিবিচাৰিলে, সিহঁতক ইয়ালৈ
আনি মোৰ আগতে বধ কৰাহঁক'।" ২৮ এই সকলো কথা কোৱাৰ
পাছত তেওঁ তেওঁলোকৰ আগে আগে যিৰূচালেম অভিমুখে যাত্ৰা
কৰিলে। ২৯ পাছত তেওঁ জৈতুন পৰ্বতৰ কাষৰ বৈৎফগী আৰু বৈথনিয়া
গাৱঁৰ ওচৰ পোৱাত, তেওঁ দুজন শিষ্যক এই আদেশ দি পঠিয়াই
৩০ ক'লে, "সন্মুখৰ গাওঁখন লৈ তোমালোক যোৱা; তাত সোমাওঁতে,
কোনো মানুহে কেতিয়াও নুঠা এটা গাধ পোৱালি বান্ধি থোৱা দেখিবা;
সেই পোৱালিটো মুকলি কৰি মোৰ ওচৰলৈ আনাগৈ; ৩১ আৰু তাক
কিয় মেলিছা বুলি যদি কোনোবাই তোমালোকক সুধে, তেনেহলে
এইদৰে ক'বা, 'প্ৰভুৰ ইয়াৰ প্ৰয়োজন আছে'।" ৩২ তেতিয়া যি সকলক
পঠোৱা হ'ল, তেওঁলোকে যীচুৱে কোৱাৰ দৰেই সকলোকে পালে।
৩৩ তেওঁলোকে গৈ গাধ পোৱালিটো মেলোতেই তাৰ গৰাকী সকলে
সুধিলে, "গাধ পোৱালিটো কিয় মেলিছা?" ৩৪ তেতিয়া তেওঁলোকে
ক'লে, "প্ৰভুক ইয়াৰ প্ৰয়োজন আছে।" ৩৫ পাছত যীচুৰ ওচৰলৈ সেই
গাধ পোৱালিটো আনিলে আৰু তেওঁলোকে নিজ নিজ কাপোৰ তাৰ
পিঠিত পাৰি দি, তাৰ ওপৰত যীচুক বহুৱালে; ৩৬ আৰু তেওঁ গৈ
থাকোতে মানুহবোৰে তেওঁলোকৰ কাপোৰবোৰ বাটত পাৰি দিলে।
৩৭ পাছত তেওঁ যিৰূচালেমৰ ওচৰ আহি পাওঁতে জৈতুন পৰ্বতৰ পৰা
নামি যোৱা ঠাইত, গোটেই শিষ্য সকলে, যি যি পৰাক্ৰম কাৰ্য দেখিছিল,
তাৰ কাৰণে বৰ মাতেৰে ঈশ্বৰৰ স্তুতি কৰি আনন্দ কৰিবলৈ ধৰিলে,
৩৮ আৰু ক'লে, "প্ৰভুৰ নামেৰে যি জন ৰজা আহিছে, তেওঁ ধন্য! স্বৰ্গত
শান্তি, আৰু উৰ্দ্ধলোকত মহিমা হওক!" ৩৯ তেতিয়া লোক সকলৰ
মাজৰ পৰা ফৰীচী সকলৰ কোনো কোনোৱে আহি তেওঁক ক'লে, "হে
গুৰু, আপোনাৰ শিষ্য সকলক ডবিয়াওক।" ৪০ তেতিয়া যীচুৱে উত্তৰ
দি ক'লে, "মই তোমালোকক কওঁ, এওঁলোকে মনে মনে থাকিলে,
শিলবোৰে আটাহ পাৰিব।" ৪১ পাছত যীচু ওচৰলৈ আহি যিৰূচালেম

নগৰ দেখি শোকাতুৰ হৈ কান্দিলে ৪২ আৰু ক'লে, "হায়! হায়! তোমাৰ
এই দিনত শান্তিজনক কি, সেই বিষয়ে তুমি জনা হ'লে! কিন্তু এতিয়া
তোমাৰ চকুৰ পৰা সেইবোৰ লুকুৱা হৈছে। ৪৩ কিয়নো তোমাৰ
কৃপাদৃষ্টিৰ কাল তুমি নজনা কাৰণে, যি কালত তোমাৰ শত্রুবোৰে
তোমাৰ চাৰিওফালে গড় বান্ধি তোমাক বেৰি ধৰিব আৰু চাৰিওফালৰ
পৰা তোমাক আগচি ধৰিব, ৪৪ সেই কালত তেওঁলোকে তোমাক
আৰু তোমাৰ ভিতৰত থকা সন্তান সকলক একেলগে মাটিৰ সমান
কৰিব। তোমাৰ এটা শিলৰ ওপৰত এটা শিল থাকিব নিদিব; কাৰণ
তোমাৰ তত্ত্বাৱধানৰ বাবে ঈশ্বৰ যে তোমাৰ ওচৰলৈ আহিল, সেই
কথা তুমি নুবুজিলা৷" ৪৫ পাছত তেওঁ যিৰূচালেম মন্দিৰত সোমাই,
তাত থকা বিক্রেতা সকলক বাহিৰ কৰিবলৈ ধৰিলে, আৰু ৪৬ সিহঁতক
ক'লে, "লিখা আছে, 'মোৰ ঘৰ প্ৰাৰ্থনাৰ ঘৰ হ'ব', কিন্তু তোমালোকে
তাক ডকাইতৰ গুহা কৰিলাহঁক।" ৪৭ তেতিয়াৰে পৰা যীচুৱে নিতৌ
সেই মন্দিৰত উপদেশ দি আছিল। তাতে প্ৰধান পুৰোহিত, বিধানৰ
অধ্যাপক আৰু প্ৰধান লোক সকলে তেওঁক বধ কৰিবলৈ ছল বিচাৰিব
ধৰিলে; ৪৮ কিন্তু সকলো মানুহে তেওঁৰ কথা একান্তমনে শুনি থকাত,
তেওঁলোকে কি কৰিব পাৰিব, তাৰ একো নিশ্চয় কৰিব নোৱাৰিলে।

২০ এদিন যীচুৱে যিৰূচালেম মন্দিৰত শুভবাৰ্তা প্ৰচাৰ কৰি, লোক
সকলক যেতিয়া উপদেশ দি আছিল, তেতিয়া পৰিচাৰক সকলৰ সৈতে
প্ৰধান পুৰোহিত আৰু বিধানৰ অধ্যাপক সকল তেওঁৰ ওচৰলৈ আহিল৷
২ তেওঁলোকে তেওঁক সুধিলে, "আমাক কোৱা, তুমি কি ক্ষমতাৰে
এইবোৰ কৰিছা? বা তোমাক এই ক্ষমতা দিওঁতা জন কোন?" ৩
তেতিয়া তেওঁ উত্তৰ দি তেওঁলোকক ক'লে, "ময়ো তোমালোকক এটা
প্ৰশ্ন সুধিব বিচাৰো, তোমালোকে মোক উত্তৰ দিয়া! ৪ যোহনৰ বাপ্তিস্ম
স্বৰ্গৰ পৰা, নে মানুহৰ পৰা হৈছিল?" ৫ তেতিয়া তেওঁলোকে ইজনে
সিজনে বিবেচনা কৰি ক'লে, "'স্বৰ্গৰ পৰা' বুলি যদি কওঁ, তেনেহলে
তেওঁত কিয় বিশ্বাস নকৰিলা বুলি তেওঁ ক'ব। ৬ কিন্তু আমি যদি
কওঁ, 'মানুহৰ পৰা', তেনেহলে লোক সকলে আমাক শিল দলিয়াই
মাৰিব; কাৰণ লোক সকলে যোহনক এজন ভাববাদীৰূপে দৃঢ় বিশ্বাস

কৰে।” ৭ তেওঁলোকে তেতিয়া উত্তৰ দি ক’লে, “সেয়ে ক’ৰ পৰা
আহিল, সেই বিষয়ে আমি নাজানো।” ৮ তেতিয়া যীচুৱে তেওঁলোকক
ক’লে, “তেনেহলে, কি ক্ষমতাৰে মই এইবোৰ কৰোঁ, সেই বিষয়ে
ময়ো তোমালোকক নকওঁ।” ৯ পাছত তেওঁ লোক সকলৰ আগত
এই দৃষ্টান্ত দি ক’বলৈ ধৰিলে, “এজন মানুহে দ্ৰাক্ষাবাৰী পাতিতাক
খেতিয়ক সকলৰ হাতত গতাই দি বহু দিনৰ কাৰণে আন দেশলৈ
গ’ল। ১০ পাছত সেই খেতিয়ক সকলে দ্ৰাক্ষাবাৰীৰ গুটিৰ অংশ
তেওঁক যেন দিয়ে, এই কাৰণে বতৰৰ দিনত, তেওঁ তেওঁলোকৰ
ওচৰলৈ এজন দাসক পঠাই দিলে। কিন্তু খেতিয়ক সকলে তেওঁক
কোবাই, শুদা-হাতে খেদি দিলে৷ ১১ আকৌ তেওঁ আন এজন দাসক
পঠিওৱাত, তেওঁলোকে তেওঁকো কোবাই, অপমান কৰি শুদা-হাতে
খেদি দিলে। ১২ তৃতীয় বাৰ আন এজনক পঠিওৱাত, তেওঁলোকে
তেওঁকো আঘাত কৰি বাহিৰলৈ পেলাই দিলে। ১৩ তেতিয়া দ্ৰাক্ষাবাৰীৰ
গৰাকীয়ে ক’লে, ‘মই কি কৰিম? মোৰ প্ৰিয় পুত্ৰক পঠাই দিম; কিজানি
তেওঁলোকে তেওঁক আদৰ কৰিব!’ ১৪ কিন্তু খেতিয়ক সকলে তেওঁক
দেখি ইজনে সিজনে কোৱা-মেলা কৰি ক’লে, ‘এৱেঁই উত্তৰাধিকাৰী;
আহা, উত্তৰাধিকাৰ আমাৰ হ’বলৈ এওঁক বধ কৰোঁহক৷’ ১৫ এই বুলি
তেওঁলোকে তেওঁক দ্ৰাক্ষাবাৰীৰ পৰা বাহিৰ কৰি বধ কৰিলে। এই
হেতুকে সেই দ্ৰাক্ষাবাৰীৰ গৰাকীয়ে তেওঁলোকক কি কৰিব? ১৬
তেওঁ আহি সেই খেতিয়ক সকলক সংহাৰ কৰি, আন লোকৰ হাতত
দ্ৰাক্ষাবাৰী দিব৷” তেতিয়া এই কথা শুনা লোক সকলে ক’লে, “ঈশ্বৰে
এনে নকৰক!” ১৭ তাতে তেওঁ তেওঁলোকলৈ চাই ক’লে, “এই লিখা
বচনৰ অৰ্থ কি? ‘তেনেহলে ঘৰ-সজা সকলে যি শিল অগ্ৰাহ্য কৰিলে,
সেয়ে চুকৰ প্ৰধান শিল হ’ল’? ১৮ সেই শিলৰ ওপৰত যি কোনো
পৰিব, তেওঁ ডোখৰ-ডোখৰকৈ ভাগি যাব; কিন্তু যাৰ ওপৰত সেই
শিল পৰিব, তেওঁক ধূলিৰ দৰে গুড়ি কৰি পেলাব।” ১৯ বিধানৰ
অধ্যাপক আৰু প্ৰধান পুৰোহিত সকলে তেওঁলোকৰ বিৰুদ্ধে যীচুৱে
এই দৃষ্টান্ত ক’লে বুলি জানি, সেই সময়তেই তেওঁক হাতে-হাতে
ধৰিবলৈ উপায় বিচাৰিলে; কিন্তু লোক সকলৰ বাবে ভয় কৰিলে। ২০

তাতে তেওঁলোকে তেওঁৰ ধাৰ্মিকতাত সাৱধানতাৰে সতৰ্ক দৃষ্টি ৰাখি,
তেওঁৰ কথাত যেন দায় ধৰিব পাৰে আৰু তেওঁক দেশৰ অধিকাৰী আৰু
শাসনকৰ্তাৰ হাতত যেন শোধাই দিব পাৰে, এই কাৰণে সাধুৰ বেশ
ধৰা কিছুমান চোৰাংচোৱা পঠাই দিলে। ২১ পাছত তেওঁলোকে তেওঁক
সুধিলে, “হে গুৰু, আপুনি যথাৰ্থৰূপে কথা কৈছে আৰু উপদেশ দিছে
আৰু কাৰো মুখলৈ নাচাই, পক্ষপাত নকৰাকৈ ঈশ্বৰৰ পথ দেখুৱাই
আছে, ইয়াক আমি জানোঁ। ২২ কিন্তু বিধানৰ মতে আমি চীজাৰক
কৰ দিব পায় নে নাপায়?” ২৩ যীচুৱে তেওঁলোকৰ চতুৰালি বুজি
তেওঁলোকক ক’লে, ২৪ “মোক এটা আধলিদেখুওঁৱা। ইয়াত কাৰ
প্ৰতিমূৰ্তি আৰু নাম দিয়া আছে?” তেওঁলোকে ক’লে, “চীজাৰৰ।”
২৫ তেতিয়া তেওঁ তেওঁলোকক ক’লে, “তেনেহলে যি চীজাৰৰ, সেই
চীজাৰক দিয়া আৰু যি ঈশ্বৰৰ, তাক ঈশ্বৰক দিয়া।” ২৬ তাতে
অধ্যাপক আৰু প্ৰধান পুৰোহিত সকলে লোক সকলৰ আগত তেওঁৰ
কথাত দোষ ধৰিব নোৱাৰিলে৷ তেওঁৰ উত্তৰত কেৱল বিস্ময় মানি
নিজম দি থাকিল। ২৭ পাছত পুনৰুত্থান নাই বুলি কোৱা চদ্দূকী
সকলৰ কোনো কোনোৱে তেওঁৰ ওচৰলৈ আহি সুধিলে, ২৮ “হে
গুৰু, ককাই-ভাইৰ মাজৰ পত্নী থকা কোনো এজন যদি নিঃসন্তান
হৈ মৰে, তেনেহলে, তেওঁৰ ভায়েক বা ককায়েকে সেই পত্নীক বিয়া
কৰাই মৃত জনলৈ বংশ উৎপন্ন কৰিব, এই বুলি মোচিয়ে আমালৈ
লিখিলে। ২৯ বাৰু, কোনো সাত জন ভাই-ককাই আছিল; প্ৰথম জনে
বিয়া পাতি নিঃসন্তান হৈ মৰিল। ৩০ ক্ৰমান্বয়ে দ্বিতীয় জনে তাইৰে
সৈতে বিয়া পাতিলে আৰু ৩১ তৃতীয় জনেও তাইকেই বিয়া কৰিলে;
সেইদৰে সাত জনেই সন্তান নথকাকৈ মৰিল। ৩২ অৱশেষত সেই
পত্নীও ঢুকাল। ৩৩ এতিয়া পুনৰুত্থানৰ সময়ত তেওঁ কোন জনৰ
পত্নী হব, কাৰণ সাত জনেই তেওঁক বিয়া কৰাইছিল?” ৩৪ তেতিয়া
যীচুৱে তেওঁলোকক ক’লে, “এই যুগৰ সন্তান সকলে বিয়া কৰাই
আৰু বিয়া দিয়াও হয়; **(aiōn g165)** ৩৫ কিন্তু যি সকলে সেই যুগৰ
আৰু মৃত লোক সকলৰ মাজৰ পৰা পুনৰুত্থান পাবৰ যোগ্য বুলিগণ্য
হয়, তেওঁলোকে বিয়া নকৰাই আৰু বিয়া দিয়াও নহয়। **(aiōn g165)**

৩৬ তেওঁলোকৰ মৃত্যু হ'ব নোৱাৰে; কাৰণ, তেওঁলোক স্বৰ্গৰ দূত
সকলৰ তুল্য; আৰু পুনৰুত্থানৰ সন্তান হোৱা বাবে তেওঁলোক ঈশ্বৰৰ
সন্তান হয়। ৩৭ মোচিয়ে জোপোহাৰ আঁৰত থকাপ্ৰভুক, অব্ৰাহামৰ
ঈশ্বৰ, ইচহাকৰ ঈশ্বৰ, যাকোবৰ ঈশ্বৰ বুলি মতাত, মৃত যে পুনৰুত্থিত
হয়, তেওঁ ইয়াকে প্ৰকাশ কৰিছিল। ৩৮ এতিয়া তেওঁ মৃত লোকৰ
ঈশ্বৰ নহয়, কিন্তু জীৱিত লোক সকলৰহে ঈশ্বৰ; কিয়নো তেওঁৰ
সম্বন্ধে সকলো জীয়াই আছে।" ৩৯ তাতে কোনো কোনো বিধানৰ
অধ্যাপকে উত্তৰ দি ক'লে, "হে গুৰু, আপুনি ভাল কৈছে।" ৪০ কিয়নো
তেওঁক পুনৰ কোনো কথা সুধিবলৈ তেওঁলোকৰ সাহস নহ'ল। ৪১
যীচুৱে তেওঁলোকক ক'লে, "খ্ৰীষ্ট যে দায়ুদৰ সন্তান, ইয়াক কেনেকৈ
কয়? ৪২ কিয়নো দায়ুদে নিজে গীতমালা পুস্তকত কৈছে, প্ৰভুৱে
মোৰ প্ৰভুক ক'লে, 'মোৰ সোঁ হাতে বহি থাকা, ৪৩ যেতিয়ালৈকে
মই তোমাৰ শত্ৰুবোৰক তোমাৰ ভৰি-পীৰা নকৰোঁ।' ৪৪ এইদৰে
দায়ুদে তেওঁক 'প্ৰভু' বুলিলে; তেনেহলে তেওঁ কেনেকৈ দায়ুদৰ সন্তান
হ'ব পাৰে?" ৪৫ পাছে সকলো লোকে শুনাকৈ, তেওঁ তেওঁৰ শিষ্য
সকলক ক'লে, ৪৬ "এতেকে তেওঁলোকলৈ সাৱধান হোৱা, যি সকল
বিধানৰ অধ্যাপকে দীঘল বস্ত্ৰ পিন্ধি ফুৰিবলৈ ইচ্ছা কৰে আৰু হাট-
বজাৰত নমস্কাৰ বিচাৰে, নাম-ঘৰত প্ৰধান আসন আৰু ভোজনত
প্ৰধান ঠাইবোৰ ভালপায়; ৪৭ আৰু বাৰী-বিধৱা সকলৰ ঘৰ-বাৰী গ্ৰাস
কৰি দীঘল প্ৰাৰ্থনাৰে ছদ্মবেশ ধৰে, তেওঁলোকে অৱশ্যে অধিক দণ্ড
পাব।"

**২১** পাছত তেওঁ চকু তুলি চাই, ধনী লোক সকলক দান পাত্ৰত ধন
সুমুৱাই দিয়া দেখিলে। ২ কোনো এগৰাকী দুখীয়া বিধৱাই তাত
দুই পইচা সুমুৱাই দিয়াও দেখিলে। ৩ তাতে তেওঁ ক'লে, "মই
তোমালোকক সঁচাকৈ কওঁ, সেই লোক সকলতকৈ এই দুখীয়া বিধৱা
গৰাকীয়ে অধিক দিলে। ৪ কিয়নো তেওঁলোক সকলোৱে নিজ নিজ
অতিৰিক্ত সম্পত্তিৰ পৰা দান দিলে৷ কিন্তু তেওঁৰ ধনৰ নাটনি হোৱাতো,
জীৱিকালৈ যি আছিল, সেই আটাইখিনিকে দিলে।" ৫ পাছত কোনো
কোনোৱে 'উত্তম শিল আৰু উৎসৰ্গ কৰা দ্ৰব্যেৰে যিৰূচালেম মন্দিৰ

কেনে বিভূষিত' বুলি কোৱাত, তেওঁ ক'লে, ৬ "এই যিবোৰ বস্তু
দেখিছা; যেতিয়া সময় আহিব, ইয়াৰ এটা শিলৰ ওপৰত এটা শিল
নাথাকিব, সকলোবোৰ পেলোৱা হ'ব।" ৭ তেতিয়া তেওঁলোকে তেওঁক
সুধিলে, "হে গুৰু, তেনেহলে এইবোৰ কেতিয়া হ'ব? আৰু এইবোৰ
ঘটিবলৈ উদ্যত হোৱাৰ চিন কি?" ৮ তাতে যীচুৱে ক'লে, "তোমালোক
যেন ভ্ৰান্ত নোহোৱা, এই কাৰণে সাৱধান হোৱা।কিয়নো অনেকে মোৰ
নামেৰে আহি, 'ময়েই সেই জন' আৰু 'কাল ওচৰ', এই বুলি যেতিয়া
ক'ব; তেতিয়া তোমালোকে তেওঁলোকৰ পাছত নাযাবা। ৯ যেতিয়া
তোমালোকে ৰণ আৰু হুৰামুৰাৰ বাৰ্তা শুনা, তেতিয়া ভয়াতুৰ নহ'বা;
কিয়নো এই সকলোবোৰ ঘটিবই লাগিব; কিন্তু তেতিয়াই শেষ নহয়।"
১০ তেতিয়া তেওঁ পুনৰ তেওঁলোকক ক'লে, "জাতিৰ বিৰুদ্ধে জাতি,
ৰাজ্যৰ বিৰুদ্ধে ৰাজ্য উঠিব; ১১ আৰু বৰ বৰ ভূমিকম্প হ'ব, ঠায়ে ঠায়ে
আকাল আৰু মহামাৰী হ'ব; আকাশৰ পৰা ভয়ঙ্কৰ লক্ষণ আৰু মহৎ চিন
ওলাব। ১২ কিন্তু এই সকলো ঘটনা ঘটাৰ পূৰ্বতে, মানুহে তোমালোকৰ
ওপৰত হাত দি তোমালোকক তাড়না কৰিব; নাম-ঘৰ আৰু বন্দীশালত
শোধাই দিব; আৰু মোৰ নামৰ কাৰণে তোমালোকক ৰজা আৰু
দেশাধিপতিৰ আগলৈ নিয়া হ'ব। ১৩ সাক্ষ্যৰ অৰ্থে এটা সুযোগ পাবলৈ
এই সকলো কথা তোমালোকলৈ ঘটিব। ১৪ এতেকে উত্তৰ দিবলৈ
আগেয়ে চিন্তা নকৰিবলৈ, তোমালোকৰ মনত নিশ্চয় কৰা; ১৫ কিয়নো
তোমালোকৰ বিৰোধী সকলৰ কোনেও প্ৰতিশোধ বা প্ৰত্যুত্তৰ কৰিব
নোৱাৰা বাক্য আৰু জ্ঞান মই তোমালোকক দিম। ১৬ আৰু পিতৃ-মাতৃ,
ভাই-ককাই, জ্ঞাতি-কুটুম্ব আৰু বন্ধু সকলৰ দ্বাৰাই তোমালোক শত্ৰুৰ
হাতত সমৰ্পিত হ'বা, তাতে তোমালোকৰ কিছুমানক তেওঁলোকে বধ
কৰাব। ১৭ তোমালোক মোৰ নামৰ বাবে সকলোৰে ঘৃণাৰ পাত্ৰ হ'বা।
১৮ কিন্তু তোমালোকৰ মূৰৰ এডালো চুলি নষ্ট নহ'ব। ১৯ তোমালোকে
নিজ ধৈৰ্যৰে, নিজ নিজ প্ৰাণ লাভ কৰিবা। ২০ যেতিয়া যিৰূচালেম সৈন্য
সকলৰ দ্বাৰাই বেৰি ধৰা দেখিবা, তেতিয়া তাৰ ধ্বংস ওচৰ চাপিল বুলি
জানিবা। ২১ তেতিয়া যিহুদীয়াত থকা লোক সকল পৰ্বতলৈ পলাই
যাওঁক; আৰু নগৰ খনত থকা লোক সকল ওলাই যাওঁক; আৰু গাৱেঁ

ভুৰেঁ থকা মানুহ নগৰৰ ভিতৰলৈ নোসোমাওক। ২২ এই দিনবোৰ
হ'ল প্ৰতিশোধৰ দিন; শাস্ত্ৰৰ বাণী অনুসাৰে সিদ্ধ হবলৈ এইদৰে হ'ব।
২৩ সেই সময়ত গৰ্ভৱতী আৰু পিয়াহ দিয়া তিৰোতা সকলৰ সন্তাপ
হ'ব! কিয়নো দেশ খনত অতিশয় দুখ আৰু এই লোক সকলৰ ওপৰত
ক্ৰোধ হ'ব। ২৪ তেওঁলোক তৰোৱালৰ আঘাতত পৰিব আৰু সকলো
দেশলৈ বন্দী কৰি নিয়া হ'ব; আৰু অনা-ইহুদী মানুহৰ কাল সম্পূৰ্ণ
নোহোৱালৈকে যিৰূচালেম অনা-ইহুদী মানুহৰ ভৰিৰে গচকা হ'ব। ২৫
তেতিয়া সূৰ্য, চন্দ্ৰ আৰু তৰাবোৰত নানা চিন ওলাব৷ পৃথিৱীতো, সাগৰ
আৰু ঢৌৰ তৰ্জ্জন-গৰ্জ্জনৰ কাৰণে ব্যাকুল হোৱা জাতিবোৰৰ ক্লেশ হ'ব৷
২৬ পৃথিৱীত যি যি ঘটিব, তাৰ চিন্তাত আৰু ভয়ত মানুহবোৰ বিমূৰ্চ্ছিত
হ'ব; কিয়নো আকাশৰ পৰাক্ৰমবোৰ লৰোৱা হ'ব। ২৭ তেতিয়া
পৰাক্ৰম আৰু মহা প্ৰতাপেৰে মানুহৰ পুত্ৰক মেঘত অহা দেখিব। ২৮
কিন্তু এইবোৰ ঘটনা ঘটিবলৈ আৰম্ভ হ'লে, মূৰ দাঙি ওপৰলৈ চোৱা,
কিয়নো তোমালোকৰ পৰিত্ৰাণ ওচৰ চাপিছে।” ২৯ পাছত যীচুৱে
তেওঁলোকক এটা দৃষ্টান্ত দি ক'লে, “ডিমৰু আদি সকলো গছ চোৱা;
৩০ সেইবোৰ কুঁহিপাত মেলা দেখিলে, তেতিয়া জহকাল ওচৰ হৈছে
বুলি তোমালোকে নিজে জানা। ৩১ সেইদৰে, যেতিয়া তোমালোকে
এইবোৰ ঘটা দেখিবা, তেতিয়া ঈশ্বৰৰ ৰাজ্য ওচৰ হৈ আহিছে বুলি
জানিবা। ৩২ মই তোমালোকক স্বৰূপকৈ কওঁ, এই কালৰ লোক সকল
লুপ্ত হোৱাৰ আগেয়ে সকলো ঘটিব। ৩৩ স্বৰ্গ আৰু পৃথিৱী লুপ্ত হ'ব;
কিন্তু মোৰ বাক্য লুপ্ত নহ'ব। ৩৪ কিন্তু এই জীৱনৰ চিন্তা, মত্ততা আৰু
অপৰিমিত ভোজনৰ দ্বাৰাই তোমালোকৰ হৃদয় যেন ভাৰাগ্ৰস্ত নহয়
আৰু ফান্দৰ নিচিনাসেইদিন যেন তোমালোকলৈ অকস্মাতে নাহে, এই
কাৰণে তোমালোকে নিজে সাৱধানে থাকিবা। ৩৫ কিয়নো সেইদিন
পৃথিৱীত বসতি কৰা সকলো লোকৰ ওপৰলৈ আহিব। ৩৬ কিন্তু
এই সকলো ঘটিব লগা ঘটনাৰ পৰা তোমালোক সাৰিবৰ বাবে আৰু
মানুহৰ পুত্ৰৰ আগত থিয় হবলৈ যেন সমৰ্থ হোৱা, এই কাৰণে সকলো
সময়তে পৰ দি প্ৰাৰ্থনা কৰি থাকিবা৷” ৩৭ সেই সময়ত তেওঁ দিনত
মন্দিৰত গৈ উপদেশ দি আছিল; আৰু ৰাতি বাহিৰলৈ গৈ, জৈতুন

নামেৰে পৰ্বতত কটাইছিল। ৩৮ সকলো মানুহে মন্দিৰত তেওঁৰ কথা
শুনিবৰ বাবে ৰাতিপুৱা সোনকালে তেওঁৰ ওচৰলৈ আহিছিল।

২২ সেই সময় খমিৰ নোহোৱা পৰ্বৰ ওচৰ হোৱাত, এই পৰ্বক
নিস্তাৰ-পৰ্ব বোলা হয়, ২ তেতিয়া প্ৰধান পুৰোহিত আৰু বিধানৰ
অধ্যাপক সকলে কেনেকৈ যীচুক বধ কৰিব পাৰে, তাৰে উপায়
বিচাৰিলে; কিয়নো তেওঁলোকে লোক সকলক ভয় কৰিছিল। ৩
তেতিয়া বাৰ জন পাঁচনিৰ মাজৰ যিহূদা, যাৰ উপনাম ঈষ্কৰিয়োতীয়া,
তেওঁৰ ভিতৰত চয়তান সোমাল। ৪ তাতে তেওঁ গৈ, কেনেকৈ যীচুক
তেওঁলোকৰ হাতত শোধাই দিব পাৰে, সেই বিষয়ে প্ৰধান পুৰোহিত
আৰু সেনাপতি সকলৰ সৈতে কথা-বাৰ্ত্তা হ'ল। ৫ তেতিয়া তেওঁলোকে
আনন্দিত হ'ল আৰু তেওঁক ধন দিবলৈ সন্মত হ'ল। ৬ তাতে তেওঁ
মান্তি হ'ল আৰু লোক সকল নথকা সময়ত, তেওঁলোকৰ হাতত তেওঁক
শোধাই দিবলৈ সুযোগ বিচাৰিলে। ৭ খমিৰ নোহোৱা পিঠাৰ দিন,
যিদিনা নিস্তাৰপৰ্বৰ মেৰ বলি দিব লাগে, সেইদিন উপস্থিত হোৱাত, ৮
যীচুৱে পিতৰ আৰু যোহনক পঠিয়াই দি ক'লে, "তোমালোক যোৱা,
আমি ভোজন কৰিবলৈ নিস্তাৰ-পৰ্বৰ ভোজ যুগুত কৰাগৈ।" ৯ তেতিয়া
তেওঁলোকে তেওঁক সুধিলে, "আমি ক'ত যুগুত কৰাতো আপুনি ইচ্ছা
কৰে?" ১০ তেওঁ তেওঁলোকক ক'লে, "চোৱা, তোমালোকে নগৰৰ
ভিতৰত সোমালেই, পানী একলহ লৈ অহা এজন মানুহে তোমালোকক
লগ ধৰিব৷ তেওঁ যি ঘৰত সোমায়, তোমালোকে তেওঁৰ পাছে পাছে গৈ
সেই ঘৰত সোমাবা৷ ১১ তেতিয়া ঘৰৰ গৰাকীক ক'বা, 'গুৰুৱে তোমাক
কবলৈ কৈছে, বোলে মই যি ঠাইত মোৰ শিষ্য সকলৰ সৈতে নিস্তাৰ-
পৰ্বৰ ভোজ খাম, সেই আলহী-কোঠালি ক'ত আছে'? ১২ তাতে সেই
মানুহে সজোৱা ওপৰ-মহলৰ এটা ডাঙৰ কোঁঠালি তোমালোকক
দেখুৱাই দিব৷ তাতে তোমালোকে যুগুত কৰিবা।" ১৩ তেতিয়া
তেওঁলোক গ'ল আৰু তেওঁ কোৱাৰ দৰে তাত সকলোবোৰ পালে৷
পাছত তেওঁলোকে তাতে নিস্তাৰ-পৰ্বৰ ভোজ যুগুত কৰিলে। ১৪ সময়
হোৱাত, তেওঁ পাঁচনি সকলৰ সৈতে ভোজনত বহিল। ১৫ তেতিয়া তেওঁ
তেওঁলোকক ক'লে, "মোৰ দুখভোগৰ আগেয়ে তোমালোকে সৈতে

এই নিস্তাৰ-পৰ্বৰ ভোজ খাবলৈ মই বৰ ইচ্ছা কৰিলোঁ। ১৬ কিয়নো
মই তোমালোকক কওঁ, ঈশ্বৰৰ ৰাজ্যত এয়ে সিদ্ধ নোহোৱালৈকে, মই
এই ভোজ পুনৰ নাখাওঁ।" ১৭ পাছত যীচুৱে পান-পাত্র লৈ স্তুতি কৰি
ক'লে, "এইটো লোৱা আৰু তোমালোকৰ মাজত ভগাই লোৱা; ১৮
কিয়নো মই তোমালোকক কওঁ, ঈশ্বৰৰ ৰাজ্য আহি নোপোৱালৈকে
মই এতিয়াৰ পৰা আৰু দ্ৰাক্ষাগুটিৰ ৰস পান নকৰোঁ।" ১৯ তাৰ পাছত
পিঠা লৈ তেওঁ স্তুতি কৰিলে আৰু ভাঙি তেওঁলোকক দি ক'লে, "এয়ে
তোমালোকৰ কাৰণে দান কৰা মোৰ শৰীৰ; মোক সুঁৱৰিবলৈ ইয়াকে
কৰিবা।" ২০ পিঠা ভোজন কৰাৰ পাছত, সেইদৰে পান-পাত্ৰকো লৈ
ক'লে, "তোমালোকৰ কাৰণে উলিওৱা মোৰ তেজৰ দ্বাৰাই হোৱা
যি নতুন নিয়ম, সেয়ে এই৷ ২১ কিন্তু চোৱা, মোক শত্রুৰ হাতত
শোধাই দিওঁতা জন মোৰে সৈতে মেজতে আছে। ২২ কিয়নো যেনেকৈ
নিৰূপণ কৰা হৈছিল, তেনেকৈ মানুহৰ পুত্ৰৰ গতি হ'ব হয়, কিন্তু যি
মানুহৰ দ্বাৰাই তেওঁক শোধাই দিয়া হব, তেওঁ সন্তাপৰ পাত্র!" ২৩
তাতে তেওঁলোকৰ মাজৰ কোনে এই কৰ্ম কৰিব, সেই বিষয়ে ইজনে
সিজনে সোধা-সুধি কৰিবলৈ ধৰিলে। ২৪ তেওঁলোকৰ মাজত কোন
জনক শ্ৰেষ্ঠ বুলি মনা হ'ব, সেই বিষয়ে তেওঁলোকৰ ভিতৰত বাদ-
বিবাদ হ'ল। ২৫ কিন্তু তেওঁ তেওঁলোকক ক'লে, "অনা-ইহুদী ৰজা
সকলে তেওঁলোকৰ ওপৰত ৰাজত্ব কৰে আৰু তেওঁলোকৰ মাজত
ক্ষমতা পোৱা অধিকাৰী সকলক 'উপকাৰক' বুলি কোৱা হয়। ২৬
কিন্তু তোমালোক তেনেকুৱা নহবা৷ তোমালোকৰ মাজত যি জন
শ্ৰেষ্ঠ, তেওঁ সৰু এজনৰ নিচিনা হওক; আৰু যি জন প্ৰধান, তেওঁ
পৰিচাৰকৰ নিচিনা হওক। ২৭ কিয়নো বিবেচনা কৰাচোন, কোন
শ্ৰেষ্ঠ? ভোজনত বহা জন নে, পৰিচাৰক জন? ভোজনত বহা জন নহয়
নে? কিন্তু মই পৰিচাৰকৰ নিচিনাকৈ তোমালোকৰ মাজত আছোঁ৷ ২৮
কিন্তু তোমালোক মোৰ সকলো পৰীক্ষাৰ সময়ত, মোৰ লগত থকা
লোক হৈছা৷ ২৯ মোৰ পিতৃয়ে যেনেকৈ মোক ৰাজ্য দান কৰিলে,
সেইদৰে তোমালোককো মই ৰাজ্যদান কৰিলোঁ, ৩০ মোৰ মেজত
যেন ভোজন-পান কৰিবা, এই কাৰণে ময়ো তোমালোকৰ বাবে ৰাজ্য

নিয়োজন কৰি থৈছোঁ৷ তাতে তোমালোকে সিংহাসনত বহি ইস্ৰায়েলৰ
বাৰ ফৈদৰ সোধ-বিচাৰ কৰিবা। ৩১ চিমোন, চিমোন, চোৰা, ধান
চলাৰদৰে চালিবলৈ, চয়তানে তোমালোকক তাৰ নিজৰ কৰি ল'ব
খুজিলে; ৩২ কিন্তু তোমাৰ বিশ্বাস যেন লোপ নাপায়, এই কাৰণে,
মই তোমাৰ অৰ্থে প্ৰাৰ্থনা কৰিলোঁ; আৰুতুমি মন পালটোৱাৰ পাছত,
তোমাৰ ভাইসকলকো বিশ্বাসত স্থিৰ হৈ থাকিবলৈ উদগাবা।" ৩৩
পাছত পিতৰে তেওঁক ক'লে, "হে প্ৰভু, আপোনাৰ সৈতে বন্দীশাল
আৰু মৰণলৈকো যাবৰ বাবে মই যুগুত হৈ আছোঁ।" ৩৪ তেতিয়া যীচুৱে
ক'লে, "হে পিতৰ, মই তোমাক কওঁ, তুমি যে মোক জানা, ইয়াকে তিনি
বাৰ অস্বীকাৰ নকৰালৈকে, আজি কুকুৰাই ডাক নিদিব।" ৩৫ পাছত
যীচুৱে তেওঁলোকক ক'লে, "মই যেতিয়া বিনা ধন, পাদুকা, মোনা আৰু
জোলোঙাৰে, তোমালোকক পঠিয়াইছিলো, তেতিয়া তোমালোকৰ
কোনো বস্তুৰ অভাৱ হৈছিল নে?" তেওঁলোকে ক'লে, "কোনো অভাৱ
হোৱা নাছিল।" ৩৬ তেতিয়া তেওঁ তেওঁলোকক ক'লে, "কিন্তু এতিয়া
যাৰ ধনৰ মোনা আছে, তেওঁ তাক লওঁক; সেইদৰে জোলোঙাও লওঁক;
আৰু যাৰ তৰোৱাল নাই, তেওঁ নিজৰ চোলা বেচি এখন তৰোৱাল
কিনক। ৩৭ কিয়নো মই তোমালোকক কওঁ, এই যি বচন লিখাআছে,
সেয়ে মোত সিদ্ধ হ'ব লাগে; 'তেওঁ বিধানহীন সকলৰ লগত গণ্য
হ'ল৷' কিয়নো মোৰেই সম্বন্ধীয় কথা সিদ্ধ হৈ আহিছে।" ৩৮ তেতিয়া
তেওঁলোকে ক'লে, "হে প্ৰভু, চাওক! ইয়াত দুখন তৰোৱাল আছে।"
তেওঁ তেওঁলোকক ক'লে, "সেয়ে যথেষ্ট।" ৩৯ পাছত তেওঁ বাহিৰলৈ
ওলাই, তেওঁৰ নিয়মৰ দৰে জৈতুন পৰ্বতলৈ গ'ল; আৰু শিষ্য সকল
তেওঁৰ পাছে পাছে গ'ল। ৪০ সেই ঠাই পাই তেওঁ তেওঁলোকক ক'লে,
"পৰীক্ষাত যেন নপৰা, এই কাৰণে প্ৰাৰ্থনা কৰা।" ৪১ পাছত তেওঁ
এটা শিলৰ দলি সমান আতৰ গৈ আঁঠুকাঢ়ি প্ৰাৰ্থনা কৰি ক'লে, ৪২
"হে পিতৃ, যদি তোমাৰ ইচ্ছা হয়, তেনেহলে এই দুখৰ পান-পাত্ৰ
মোৰ ওচৰৰ পৰা দূৰ কৰা; তথাপি মোৰ ইচ্ছা নহয়, তোমাৰেই ইচ্ছা
সিদ্ধ হওক।" ৪৩ তেতিয়া স্বৰ্গৰ পৰা এজন দূতে তেওঁক দেখা দি,
শক্তি দান কৰিলে। ৪৪ পাছত তেওঁ অতি যাতনা পাই বৰকৈ প্ৰাৰ্থনা

কৰিব ধৰিলে; আৰু গোট বান্ধি মাটিলৈ বৈ যোৱা তেজৰ নিচিনাকৈ,
তেওঁৰ ঘাম তেজময় হৈ গ'ল। ৪৫ পাছত তেওঁ প্ৰাৰ্থনা কৰি উঠি, শিষ্য
সকলৰ ওচৰলৈ আহিল আৰু তেওঁলোকক শোকত ভাগৰি শুই যোৱা
দেখি ক'লে, ৪৬ "তোমালোকে কিয় শুইছা? পৰীক্ষাত যেন নপৰা,
এই কাৰণে উঠি প্ৰাৰ্থনা কৰা।" ৪৭ তেওঁ কথা কৈ থাকোতেই, বাৰ
জন পাঁচনিৰ লগৰ যিহূদাৰ নেতৃত্বত এদল মানুহ আহি সেই ঠাইত
উপস্থিত হ'ল। তাতে তেওঁ চুমা খাবলৈ যীচুৰ ওচৰ চাপি গ'ল। ৪৮
কিন্তু যীচুৱে তাক ক'লে, "হে যিহূদা, তুমি চুমাৰেহে মানুহৰ পুত্ৰক
শত্ৰুৰ হাতত শোধাই দিছা নে?" ৪৯ পাছত কি ঘটিব, তাকে দেখি
তেওঁৰ সঙ্গী সকলে ক'লে, "হে প্ৰভু, আমি তৰোৱালেৰে আঘাত কৰিম
নে?" ৫০ আৰু তেওঁলোকৰ কোনো এজনে মহা-পুৰোহিতৰ দাস
এজনক আঘাত কৰি, তাৰ সোঁ কাণ খন কাটি পেলালে। ৫১ তেতিয়া
যীচুৱে সমিধান দি ক'লে, "ইয়াকো সহন কৰা।" পাছে তেওঁৰ কাণ
খন চুই, তেওঁক সুস্থ কৰিলে। ৫২ তেতিয়া তেওঁৰ বিৰুদ্ধে অহা প্ৰধান
পুৰোহিত, মন্দিৰৰ সেনাপতি আৰু পৰিচাৰক সকলক যীচুৱে ক'লে,
"যেনেকৈ ডকাইতৰ বিৰুদ্ধে ওলাই আহা, তেনেকৈ মোৰ বিৰুদ্ধেও
তোমালোকে তৰোৱাল আৰু টাঙোন লৈ ওলাই আহিলা নে? ৫৩
যেতিয়া মই নিতৌ তোমালোকৰ লগত মন্দিৰত আছিলোঁ, তেতিয়া
তোমালোকে মোৰ বিৰুদ্ধে হাত নেমেলিলা; কিন্তু এয়ে তোমালোকৰ
সময় আৰু আন্ধাৰৰ অধিকাৰ।" ৫৪ পাছত তেওঁলোকে তেওঁক ধৰি
নিলে, আৰু মহা-পুৰোহিতৰ ঘৰলৈ লৈ গ'ল; কিন্তু পিতৰে এক দূৰত্ব
ৰাখি পাছে পাছে গ'ল। ৫৫ পাছত চোতালৰ মাজ মজিয়াত তেওঁলোকে
জুই জ্বলাই একেলগে বহোতে, পিতৰেও তেওঁলোকৰ মাজত বহিল।
৫৬ তেওঁ বহি থাকোঁতে জুইৰ পোহৰত, কোনো এজনী চাকৰণীয়ে
দেখা পাই, তেওঁলৈ একেথৰে চাই ক'লে, "এই মানুহ জনো তেওঁৰ
লগত আছিল।" ৫৭ কিন্তু তেওঁ অস্বীকাৰ কৰি ক'লে, "হে নাৰী, মই
তেওঁক চিনি নাপাও।" ৫৮ অলপ সময়ৰ পাছত, আন এজনে তেওঁক
দেখা পাই ক'লে, "তুমিও তেওঁলোকৰ মাজৰ এজন।" কিন্তু পিতৰে
ক'লে, "হে'ৰা, মই নহওঁ।" ৫৯ প্ৰায় এঘন্টা মানৰ পাছত, আন কোনো

এজনে দৃঢ়কৈ ক’লে, “সঁচা, এই মানুহ জনেই তেওঁৰ লগত আছিল;
কিয়নো তেওঁ এজন গালীলীয়া।” ৬০ কিন্তু পিতৰে ক’লে, “হেৰা, তুমি
কি কৈছা, মই তেওঁক নাজানোৱেই।” এই কথা কওঁতেই, কুকুৰাই
ডাক দিলে। ৬১ তাতে প্ৰভুৱে ঘূৰি পিতৰলৈ চাওতে, এই যি কথা
প্ৰভুৱে তেওঁক কৈছিল, ‘কুকুৰাই ডাক দিয়াৰ আগেয়ে, তুমি তিনি
বাৰ মোক অস্বীকাৰ কৰিবা।’ ৬২ সেই কথা সুঁৱৰি তেওঁ বাহিৰলৈ গৈ,
অতি শোকেৰে কান্দিবলৈ ধৰিলে। ৬৩ পাছত যি সকল লোকে যীচুক
ধৰি ৰাখিছিল, তেওঁলোকে তেওঁক বিদ্ৰূপ কৰি কোবালে; ৬৪ আৰু
কাপোৰেৰে তেওঁৰ চকু বান্ধি সুধিলে, “তোমাক কোনে মাৰিলে, ইয়াক
ভাববাণীৰে কোৱা?” ৬৫ আৰু নিন্দা কৰি যীচুৰ বিৰুদ্ধে আন আন বহু
কথা ক’লে। ৬৬ পাছত দিন হ’লত, প্ৰধান পুৰোহিত আৰু বিধানৰ
অধ্যাপক সকলৰ সৈতে লোক সকলৰ পৰিচাৰক সকল গোট খালে।
তেওঁলোকে তেওঁক মহাসভালৈ আনিলে, ৬৭ তেওঁলোকে ক’লে, “তুমি
যদি খ্ৰীষ্ট হোৱা, তেনেহলে আমাক কোৱা।” কিন্তু তেওঁ তেওঁলোকক
ক’লে, “যদিও তোমালোকক কওঁ, তথাপি তোমালোকে মোক বিশ্বাস
নকৰিবা, ৬৮ আৰু যদিও সুধো, তথাপি উত্তৰ নিদিবা। ৬৯ কিন্তু
এতিয়াৰ পৰা মানুহৰ পুত্ৰ ঈশ্বৰৰ পৰাক্ৰমৰ সোঁ হাতে বহি থাকিব।”
৭০ তেতিয়া তেওঁলোকে তেওঁক সুধিলে, “তেনেহলে তুমি ঈশ্বৰৰ পুত্ৰ
নে?” যীচুৱে তেওঁলোকক ক’লে, “তোমালোকেই কোৱা যে, মই হওঁ।”
৭১ তেতিয়া তেওঁলোকে ক’লে, “আমাৰ অন্য সাক্ষ্যৰ কি প্ৰয়োজন
আছে? কিয়নো আমি নিজে এওঁৰ মুখৰ পৰাই এতিয়া শুনিলোঁ।”
২৩ ইয়াৰ পাছত তেওঁলোকৰ গোটেই লোক সকলে উঠি পীলাতৰ
আগলৈ যীচুক লৈ আহিল। ২ তেওঁলোকে তেওঁক অপবাদ দি কবলৈ
ধৰিলে, বোলে, “আমি দেখিছোঁ যে, এই মানুহজন চীজাৰক কৰ
দিবলৈ নিষেধ কৰোঁতা আৰু নিজকে নিজে অভিষিক্ত ৰজা বুলি আমাৰ
দেশীয় মানুহক বিপথে নিওঁতা।” ৩ তেতিয়া পীলাতে তেওঁক সুধিলে,
“তুমি ইহুদী সকলৰ ৰজা নে?” তাতে যীচুৱে উত্তৰ দি ক’লে, “তুমিয়েই
কৈছা।” ৪ তেতিয়া পীলাতে প্ৰধান পুৰোহিত আৰু লোক সকলক
ক’লে, “মই এই মানুহ জনৰ বিৰুদ্ধে কোনো দোষ বিচাৰি নাপালোঁ।”

৫ কিন্তু তেওঁলোকে পুণৰ ক'লে, “এই মানুহ জনে গালীল প্রদেশৰ
পৰা আৰম্ভ কৰি গোটেই যিহুদীয়াত আৰু এতিয়া এই ঠাইতো লোক
সকলক উপদেশ দি উচতাই আছে।” ৬ পীলাতে ইয়াকে শুনি, মানুহ
জন গালীলীয়া নে? এই বুলি সুধিলে। ৭ পাছত তেওঁক হেৰোদ
ৰজাৰ ক্ষমতাধীন এলেকাৰ ভিতৰৰ বুলি পীলাতে জানিবলৈ পোৱাত,
তেওঁক হেৰোদৰ ওচৰলৈ পঠিয়াই দিলে; কিয়নো সেই সময়ত তেৰোঁ
যিৰূচালেমতে আছিল। ৮ যেতিয়া হেৰোদে যীচুক দেখিলে, তেওঁ
অতিশয় আনন্দিত হ'ল; কিয়নো বহু দিনৰ পৰা তেওঁক চাবলৈ
ইচ্ছা কৰি আছিল৷ তেওঁ তেওঁৰ বিষয়ে শুনিছিল, সেয়ে তেওঁ কৰা
পৰাক্রম কার্য চাবলৈ তেওঁ আশাও কৰিছিল৷ ৯ তেতিয়া হেৰোদে
অনেক কথা সুধিলে, কিন্তু যীচুৱে তেওঁক একো উত্তৰ নিদিলে।
১০ আৰু প্ৰধান পুৰোহিত আৰু বিধানৰ অধ্যাপক সকলে উগ্ৰ হৈ
বৰকৈ তেওঁক অপবাদ দি আছিল। ১১ পাছত হেৰোদে তেওঁৰ সেনা
সকলোৰে সৈতে যীচুক হেয়জ্ঞান আৰু বিদ্রূপ কৰি, ৰাজকীয় বস্ত্ৰ
পিন্ধাই পীলাতৰ ওচৰলৈ আকৌ পঠিয়াই দিলে। ১২ সেই দিনৰ পৰা
হেৰোদ আৰু পীলাত পৰস্পৰ বন্ধু হ'ল (ইয়াৰ আগেয়ে তেওঁলোকৰ
মাজত শত্ৰু ভাব আছিল) ৷ ১৩ পাছত পীলাতে প্ৰধান পুৰোহিত,
শাসনকৰ্তা সকলক আৰু লোক সকলক মাতি গোট খুৱালে৷ ১৪ আৰু
তেওঁলোকক ক'লে, “লোক সকলক অপথে নিওঁতা বুলি, এই মানুহ
জনক মোৰ ওচৰলৈ আনিলা; কিন্তু চোৱা মই তোমালোকৰ আগত
সোধ-বিচাৰ কৰি, তোমালোকে অপবাদ দিয়া কথাত তেওঁৰ একো
দোষ নাপালোঁ। ১৫ হেৰোদেও একো দোষ নাপালে; কিয়নো তেওঁ
পুনৰ আমাৰ ওচৰলৈ এওঁক পঠিয়াই দিলে আৰু চোৱা, এওঁ প্ৰাণদণ্ডৰ
যোগ্য কোনো কৰ্ম কৰা নাই। ১৬ এই হেতুকে এওঁক শাস্তি দি এৰি
দিম।” ১৭ সেই পৰ্বৰ সময়ত তেওঁলোকলৈ এজনক মুকলি কৰি
দিবলগীয়া আছিল। ১৮ কিন্তু সকলোৱে একেলগে আটাহ পাৰি ক'লে,
“ইয়াক দূৰ কৰক; বাৰাব্বাক আমাৰ বাবে মুকলি কৰক।” ১৯ সেই
বাৰাব্বাই নগৰৰ মাজত ৰাজদ্ৰোহ আৰু নৰ-বধ কৰাৰ কাৰণে তাক
বন্দীশালত থোৱা হৈছিল। ২০ তাতে পীলাতে যীচুক মুকলি কৰিবলৈ

ইচ্ছা কৰি, তেওঁলোকক আকৌ ক'লে, ২১ কিন্তু তেওঁলোকে আটাহ
পাৰি ক'লে, "তাক ক্রুচত দিয়ক, ক্রুচত দিয়ক৷" ২২ তেতিয়া তেওঁ
তৃতীয়বাৰো তেওঁলোকক ক'লে, "কিয়? এই মানুহ জনে কি দোষ
কৰিলে? প্ৰাণদণ্ডৰ কোনো কাৰণ মই বিচাৰি পোৱা নাই; এই হেতুকে
এওঁক শাস্তি দি এৰি দিম।" ২৩ কিন্তু তেওঁলোকে দাবী কৰিলে; তেওঁক
যেন ক্রুচত দিয়া হয়, এই আশয়েৰে আঁকোৰগোজ হৈ বৰ মাতেৰে
নিবেদন কৰিলে। তাতে পীলাত তেওঁলোকৰ বৰ মাতত পতিয়ন গ'ল৷
২৪ তেতিয়া পীলাতে তেওঁলোকৰ সেই নিবেদনৰ দৰে কৰিবলৈ ৰায়
দিলে। ২৫ পাছত ৰাজদ্রোহ আৰু নৰ-বধ কৰাৰ কাৰণে বন্দীশালত
থোৱা যি জনক তেওঁলোকে খুজিছিল, সেই জনক তেওঁ মুকলি কৰি
দিলে৷ কিন্তু যীচুক তেওঁলোকৰ ইচ্ছাত শোধাই দিলে। ২৬ পাছত
তেওঁলোকে তেওঁক লৈ যাওঁতে গাঁৱৰ পৰা অহা চিমোন নামেৰে এজন
কুৰীণীয়া মানুহক ধৰি যীচুৰ পাছে পাছে ক্রুচটো লৈ যাবলৈ তেওঁৰ
কান্ধত তুলি দিলে। ২৭ তাতে মানুহৰ এটা বৃহৎ দল আৰু তেওঁলৈ
হিয়া ভুকুৰাই বিলাপ কৰা অনেক মহিলা তেওঁৰ পাছে পাছে গ'ল। ২৮
কিন্তু যীচুৱে তেওঁলোকলৈ ঘূৰি ক'লে, "হে যিৰূচালেমৰ জীয়ৰী সকল,
মোৰ বাবে নাকান্দিবা, নিজৰ বাবে আৰু তোমালোকৰ সন্তান সকলৰ
বাবে ক্রন্দন কৰা। ২৯ কিয়নো চোৱা, যি সময়ত বন্ধ্যা তিৰোতা,
সন্তান নোহোৱা গৰ্ভ আৰু পিয়াহ নিদিয়া স্তনক ধন্য বুলিব, এনে
কাল আহিছে। ৩০ তেতিয়া লোক সকলে পৰ্বতবোৰক ক'বলৈ ধৰিব,
'আমাৰ ওপৰত পৰা', উপপৰ্ব্বতবোৰক কবলৈ ধৰিব, 'আমাক ঢাকি
ধৰা'। ৩১ কিয়নো কেচা গছত যদি তেওঁলোকে এইবোৰ কৰ্ম কৰে,
তেনেহলে শুকান গছত কি কৰা যাব?" ৩২ সেই সময়ত দুজন দুষ্কৰ্মী
মানুহকো তেওঁৰ লগত বধ কৰিবলৈ লৈ যোৱা হ'ল। ৩৩ পাছত মূৰৰ
লাউখোলা নামেৰে ঠাই পোৱাত, তাতে তেওঁক আৰু তেওঁৰ সোঁফালে
এজন আৰু বাওঁফালে এজন, এইদৰে সেই দুজন দুষ্কৰ্মী মানুহকো
ক্রুচত দিলে। ৩৪ তেতিয়া যীচুৱে ক'লে, "হে পিতৃ, এওঁলোকক ক্ষমা
কৰা; কিয়নো এওঁলোকে কি কৰিছে, সেই বিষয়ে নাজানে।" পাছত
তেওঁলোকে চিঠি খেলি তেওঁৰ বস্ত্র ভগাই ললে। ৩৫ আৰু লোক সকলে

থিয় হৈ চাই থাকোতে শাসনকৰ্তা সকলে তেওঁক উপহাস কৰি ক'লে,
"ই আন লোককহে ৰক্ষা কৰিব পাৰিলে৷ যদি ই ঈশ্বৰৰ সেই অভিষিক্ত
আৰু তেওঁৰ মনোনীত জন হয়, তেনেহলে নিজকে নিজে ৰক্ষা কৰক।"
৩৬ সেনাবোৰেও ওচৰলৈ আহি, তেওঁক চিৰকা যাচি ঠাট্টা কৰি ক'লে,
৩৭ "আপুনি যদি ইহুদী সকলৰ ৰজা হয়, তেনেহলে নিজকে নিজে
ৰক্ষা কৰক।" ৩৮ আৰু "এওঁ ইহুদী সকলৰ ৰজা"। এই বুলি লিখা
এখন জাননী তেওঁৰ ওপৰত লিখি দিলে। ৩৯ তেতিয়া ক্রুচত আঁৰি
থোৱা সেই দুজন দুষ্কৰ্মীৰ এজনে তেওঁক নিন্দা কৰি ক'লে, "আপুনি
খ্ৰীষ্ট নহয় নে? আপুনি নিজকে আৰু আমাকো ৰক্ষা কৰক।" ৪০ কিন্তু
আনজনে সেই দুষ্কৰ্মীক ডবিয়াই ক'লে, "তুমি একেই দণ্ডত থাকিও
ঈশ্বৰলৈ ভয় নকৰা নে? ৪১ আমি হলে ন্যায় দণ্ডৰ যোগ্য-পাত্ৰ; আমি
নিজ নিজ কৰ্মৰ উচিত ফল পাইছোঁ৷ কিন্তু এইজনে একো অনুচিত
কৰ্ম কৰা নাই৷" ৪২ পাছত তেওঁ ক'লে, "হে যীচু, আপুনি আপোনাৰ
ৰাজ্যলৈ আহিলে, মোকো সুঁৱৰিব।" ৪৩ যীচুৱে তেওঁক ক'লে, "মই
তোমাক স্বৰূপকৈ কওঁ, তুমি আজিয়েই পৰমদেশত মোৰ সঙ্গী হবা।"
৪৪ তেতিয়া বাৰ মান বজাৰ সময় হ'ল আৰু তিনি বজালৈকে গোটেই
খন দেশৰ ওপৰত আন্ধাৰ হ'ল; ৪৫ সূৰ্যও লুপ্ত হৈ গ'ল আৰু মন্দিৰৰ
আঁৰ-কাপোৰ খন মাজেদি ফাটি গ'ল। ৪৬ পাছত যীচুৱে বৰ মাতেৰে
ক'লে, "হে পিতৃ, তোমাৰ হাতত মোৰ আত্মা সমৰ্পণ কৰিছোঁ৷" এই
বুলি কৈ, তেওঁ প্ৰাণ ত্যাগ কৰিলে। ৪৭ তেতিয়া যি যি হ'ল, তাকে
দেখি, এশৰ সেনাপতিয়ে ঈশ্বৰৰ প্ৰশংসা কৰি ক'লে, "এই মানুহ
জন সঁচাকৈ ধাৰ্মিক আছিল।" ৪৮ এই দৃশ্য চাবলৈ যি সকল লোক
আহিছিল, তেওঁলোকে এই সকলো ঘটনা দেখি হিয়া ভুকুৱাই উলটি
গ'ল৷ ৪৯ কিন্তু তেওঁৰ চিনাকি লোক আৰু যি তিৰোতা সকল গালীল
প্ৰদেশৰ পৰা তেওঁৰ পাছে পাছে আহি আছিল, তেওঁলোকেও আতৰত
থিয় হৈ এইবোৰ ঘটনা চাই আছিল। ৫০ তেতিয়া তাত উপস্থিত থকা
ইহুদী সকলৰ অৰিমাথিয়া নগৰৰ যোচেফ নামেৰে উত্তম আৰু ধাৰ্মিক
হিচাপে জনাজাত যি ধাৰ্মিক মেলুৱৈ জন আছিল, ৫১ সেই মেলুৱৈ
জনে তেওঁলোকৰ আলোচনা আৰু কৰ্মত সন্মতি দিয়া নাছিল৷ তেওঁ

অৰিমাথিয়াৰ পৰা আহিছিল৷ এই চহৰ খন আছিল ইহুদী লোকৰ
চহৰ৷ তেওঁ ঈশ্বৰৰ ৰাজ্যলৈ অপেক্ষা কৰি আছিল৷ ৫২ এই ব্যক্তি
জনে পীলাতৰ ওচৰলৈ গৈ যীচুৰ দেহ বিচাৰিলে। ৫৩ পাছত তেওঁক
নমাই শণ সূতাৰ মিহি কাপোৰেৰে মেৰিয়াই, আগেয়ে কোনো ব্যক্তিৰ
দেহ নোথোৱা শিলত খান্দি উলিওৱা এটা মৈদামত শুৱাই থ'লে। ৫৪
সেইদিন আয়োজনৰ দিন আছিল আৰু বিশ্ৰামবাৰো ওচৰ চাপিছিল।
৫৫ তাতে তেওঁৰ সৈতে গালীল প্ৰদেশৰ পৰা অহা তিৰোতা সকলে
তেওঁৰ দেহ কেনেকৈ থোৱা হ'ল, সেই বিষয়ে চাবলৈ আহিছিল৷ ৫৬
পাছত উলটি আহি, সুগন্ধি দ্ৰব্য আৰু তেল যুগুত কৰিলে। পাছত
তেওঁলোকে বিধানৰ দৰে বিশ্ৰামবাৰে জিৰণি ল'লে।

**২৪** কিন্তু সপ্তাহৰ প্ৰথম দিনা অতি দোকমোকালিতে, তেওঁলোকে
যুগুত কৰা সুগন্ধি দ্ৰব্য লগত লৈ মৈদামৰ ওচৰলৈ আহিল। ২
তেওঁলোকে মৈদামৰ মুখৰ পৰা শিলচটা বগৰাই থোৱা দেখিলে। ৩
পাছত তেওঁলোক মৈদামৰ ভিতৰলৈ সোমাই গ'ল কিন্তু তাত প্ৰভু যীচুৰ
দেহ দেখা নাপালে। ৪ তাতে তেওঁলোকে এই বিষয়ে সংশয় কৰি
থাকোতে, সেই ঠাইত চক্‌মকীয়া বস্ত্ৰ পিন্ধা দুজন পুৰুষ তেওঁলোকৰ
ওচৰত আহি থিয় হ'ল। ৫ পাছত তিৰোতা সকলে ভয় পাই মাটিৰ ফালে
মূৰ দোৱাই থাকোতে, সেই দূতে তেওঁলোকক কলে, “তোমালোকে মৃত
লোকৰ মাজত জীৱিত জনক কিয় বিচাৰিছা?” ৬ “তেওঁ ইয়াত নাই,
কিন্তু তেওঁ উঠিল! তেওঁ গালীল প্ৰদেশত থাকোতেই, যি কথা কৈছিল,
সেই কথা তোমালোকে সোঁৱৰণ কৰা, ৭ তেওঁ কৈছিল বোলে, মানুহৰ
পুত্ৰ পাপী লোকৰ হাতত সমৰ্পিত হ'ব আৰু ক্ৰুচত হত হৈ, তৃতীয় দিনা
পুনৰায় উঠিব লাগিব৷” ৮ সেই সময়ত তেওঁ কোৱা কথাবোৰ তিৰোতা
সকলৰ মনত পৰাত, ৯ তেওঁলোকে মৈদামৰ পৰা ঘূৰি গৈ, এঘাৰ জন
পাচঁনিকে আদি কৰি সকলোকে এই সকলো কথাৰ সম্বাদ দিলে। ১০
তেওঁলোকৰ মাজত মগ্দলীনী মৰিয়ম, যোহানা আৰু যাকোবৰ মাক
মৰিয়ম আছিল; আৰু তেওঁলোকে সৈতে আন কেইজনীয়েও পাঁচনি
সকলক এইবোৰ কথা ক'লে৷ ১১ কিন্তু পাঁচনি সকলৰ দৃষ্টিত সেইবোৰ
অনৰ্থক কথা যেন লগাত, তেওঁলোকে তিৰোতা সকলক অবিশ্বাস

কৰিলে। ১২ তথাপি পিতৰে উঠি মৈদামলৈ লৰি গৈ, চাপৰি চাই কেৱল
শণ সূতাৰ মিহি কাপোৰ কেইখন দেখিলে৷ পাছে যি ঘটিল তাতে তেওঁ
বিস্ময় মানি নিজ ঘৰলৈ গুচি গ'ল। ১৩ পাছত তেওঁলোকৰ মাজৰ
দুজনে সেই দিনাই যিৰূচালেমৰ পৰা চাৰে সাত মাইল দূৰত থকা
ইম্মায়ু নামৰ এখন গাঁৱলৈ গৈ আছিল। ১৪ তেওঁলোক দুয়োজনে এই
সকলো ঘটনাৰ বিষয়ে কথোপকথন কৰি গৈ আছিল। ১৫ তেওঁলোকে
কথোপকথন আৰু সোধা-সুধি কৰি থাকোতেই, যীচুৱে নিজে ওচৰলৈ
আহি তেওঁলোকৰ সৈতে যাব ধৰিলে। ১৬ কিন্তু তেওঁলোকে যেন
তেওঁক চিনিব নোৱাৰে, এই কাৰণে তেওঁলোকৰ চকু বন্ধ হ'ল৷ ১৭
যীচুৱে তেওঁলোকক সুধিলে, “তোমালোকে ইজনে সিজনে কি কথা
পাতি গৈ আছা?” তাতে তেওঁলোক মলিন মুখেৰে থিয় হৈ ৰ'ল।
১৮ তেতিয়া ক্লিয়পা নামৰ এজনে উত্তৰ দি ক'লে, “যি যি কথা এই
কেইদিনত ঘটি আছে, সেইবোৰ কথা যিৰূচালেমত বাস কৰি কেৱল
আপুনিয়ে নাজানে হ'বলা?” ১৯ যীচুৱে তেওঁলোকক সুধিলে, “কি
কথা?” তেওঁলোকে তেওঁক ক'লে, যি নাচৰতীয়া যীচু, ঈশ্বৰ আৰু
সকলো লোকৰ সাক্ষাতে কৰ্মত আৰু বাক্যত পৰাক্ৰমী ভাববাদী
আছিল, ২০ তেওঁক আমাৰ প্ৰধান পুৰোহিত আৰু শাসনকৰ্তা সকলে
কেনেকৈ দোষী কৰি প্ৰাণদণ্ডৰ অৰ্থে শোধাই দি ক্ৰুচত দিলে৷ ২১ কিন্তু
যি জনে ইস্ৰায়েল লোকক মুক্ত কৰিব, তেৱেঁই সেই জন বুলি আমি
আশা কৰিছিলোঁ। কিন্তু এই সকলোৰ উপৰি এই কথা ঘটা আজি তিনি
দিন হৈছে। ২২ ইয়াৰ উপৰি আমাৰ লগৰ কেইবাগৰাকী তিৰোতাইয়ো
ৰাতিপুৱাই মৈদামলৈ গৈ আমাক বিস্ময় লগালে; ২৩ কিয়নো তেওঁৰ
দেহ নাপাই উলটি আহি ক'লে যে, তেওঁলোকে দূত সকলক দেখা
পালে আৰু তেওঁ জীয়াই উঠিল বুলি কোৱা শুনিলে। ২৪ পাছত আমাৰ
লগৰ কেইজনমান মানুহ মৈদামলৈ গৈ তিৰোতা সকলে কোৱাৰ দৰেই
দেখিলে; কিন্তু তেওঁক দেখা নাপালে। ২৫ যীচুৱে তেওঁলোকক ক'লে,
“হে নিৰ্ব্বোধ আৰু ভাববাদীয়ে কোৱা সকলো কথাত বিশ্বাস কৰিবলৈ
ভোতোহা মনৰ মানুহ! ২৬ খ্ৰীষ্টে দুখ ভোগ কৰি নিজৰ প্ৰতাপত
সোমাব নেলাগিছিল নে?” ২৭ পাছত তেওঁ মোচিৰ পৰা আৰু সকলো

ভাববাদীৰে পৰা আৰম্ভ কৰি গোটেই ধৰ্মশাস্ত্ৰত নিজৰ বিষয়ে লিখা
কথা তেওঁলোকক বুজাই দিলে। ২৮ এনেদৰে তেওঁলোকে যাব বিচৰা
গাঁৱৰ ওচৰ পোৱাত, যীচুৱে আৰু দুৰ পথ যাবলৈ থকা যেন দেখুৱালে।
২৯ কিন্তু তেওঁলোকে যীচুক বৰকৈ অনুৰোধ কৰি ক'লে, "চাওক,
এতিয়া দিনৰ শেষ; প্ৰায় সন্ধিয়া হবলৈ হৈছে। আপুনি আমাৰ সৈতে
থাকি যাওঁক।" ৩০ তেতিয়া তেওঁ তেওঁলোকৰ সৈতে থাকিল। পাছত
তেওঁ ভোজন কৰিবলৈ তেওঁলোকৰ লগত বহোঁতে পিঠা লৈ আশীৰ্বাদ
কৰি ভাঙি তেওঁলোকক দিলে। ৩১ এনেতে তেওঁলোকৰ চকু মুকলি
হ'ল আৰু তেওঁক চিনি পালে; তেতিয়া তেওঁ তেওঁলোকৰ পৰা অদৃশ্য
হ'ল। ৩২ পাছত তেওঁলোকে পৰস্পৰে কোৱা-কুই কৰি ক'লে, "বাটত
আহি থাকোতে তেওঁ যেতিয়া আমাৰ সৈতে কথোপকথন কৰিছিল
আৰু ধৰ্মশাস্ত্ৰৰ অৰ্থ বুজাই দিছিল, তেতিয়া আমাৰ হৃদয় প্ৰজ্বলিত
নহৈছিল নে?" ৩৩ সেই সময়তে তেওঁলোক দুজন উঠি, যিৰূচালেমলৈ
উলটি আহিল; তাতে একে ঠাইতে গোট খোৱা এঘাৰ জন আৰু লগত
থকা সকলক দেখা পাই, ৩৪ তেওঁলোকক ক'লে, "নিশ্চয় প্ৰভু উঠিল;
আৰু চিমোনক দেখা দিলে।" ৩৫ পাছত বাটত যি যি হ'ল আৰু পিঠা
ভাঙোতে তেওঁক কেনেকৈ চিনি পালে, সেই সকলোবোৰ সেই দুজন
লোকে তেওঁলোকক ক'লে। ৩৬ এইবোৰ কথা কৈ থাকোতেই যীচু
নিজে তেওঁলোকৰ মাজত থিয় হৈ ক'লে, "তোমালোকৰ শান্তি হওক।"
৩৭ কিন্তু ভূত দেখিছোঁ বুলি ভাবি, তেওঁলোক ভয়াতুৰ আৰু আতংকিত
হ'ল। ৩৮ তেতিয়া যীচুৱে তেওঁলোকক ক'লে, "তোমালোকৰ মনত
কিয় উগুল-থুগুল লাগিছে? আৰু তোমালোকৰ অন্তৰত কি কাৰণে প্ৰশ্ন
জাগিছে? ৩৯ মোৰ হাত আৰু ভৰি চাই জ্ঞাত হোৱা যে মইহে, মোক
স্পৰ্শ কৰি চোৱা৷ যি দৰে মোক দেখিছা, সেইদৰে আত্মাৰ হ'লে হাড়
আৰু মাংস নাই"; ৪০ ইয়াকে কৈ তেওঁ নিজৰ হাত-ভৰি তেওঁলোকক
দেখুৱালে। ৪১ কিন্তু তেওঁলোক আনন্দিত হ'লেও, তেতিয়াও অবিশ্বাস
কৰি বিস্ময় মানি থকা বাবে, যীচুৱে তেওঁলোকক ক'লে, "তোমালোকৰ
কিবা খোৱা বস্তু আছে নে?" ৪২ তেতিয়া তেওঁলোকে তেওঁক এডোখৰ
ভজা মাছ দিলে। ৪৩ যীচুৱে তাকে লৈ তেওঁলোকৰ আগত খালে; ৪৪

আৰু তেওঁ তেওঁলোকক ক’লে, “মোচিৰ বিধানত, ভাববাদী সকলৰ
বিধান-শাস্ত্রত আৰু গীতমালাত মোৰ বিষয়ে যি যি বচন লিখা আছে,
সেই সকলো সিদ্ধ হ’ব লাগে বুলি তোমালোকৰ লগত থাকোতেই,
যি কথা মই কৈছিলোঁ, মোৰ সেই কথা এই।” ৪৫ তেতিয়া তেওঁ
ধৰ্মশাস্ত্ৰ বুজিবলৈ তেওঁলোকৰ হৃদয়ৰ চকু মুকলি কৰি দিলে; ৪৬ আৰু
তেওঁ তেওঁলোকক ক’লে, “এইদৰে লিখা আছে, যে খ্রীষ্টে দুখভোগ
কৰি তৃতীয় দিনা মৃত লোকৰ মাজৰ পৰা পুনৰায় উঠিব৷ ৪৭ আৰু
যিৰূচালেমৰ পৰা আৰম্ভ কৰি সকলো জাতিৰ আগত মন-পালটন
আৰু পাপ মোচনৰ কথা তেওঁৰ নামেৰে ঘোষণা কৰা হ’ব। ৪৮
তোমালোক এই সকলোৰে সাক্ষী আছা। ৪৯ চোৱা মোৰ পিতৃয়ে
যি প্ৰতিজ্ঞা কৰিছিল, সেই প্ৰতিজ্ঞা তোমালোকলৈ পঠাই দিম৷ কিন্তু
ওপৰৰ পৰা শক্তি নোপোৱালৈকে এই নগৰতে থাকা।” ৫০ পাছত
যীচুৱে তেওঁলোকক বৈথনিয়া গাৱঁৰ সন্মূখলৈকে আগবঢ়াই আনি, তেওঁ
হাত উঠাই তেওঁলোকক আশীৰ্বাদ কৰিলে। ৫১ এইদৰে তেওঁলোকক
আশীৰ্বাদ কৰি থকা সময়ত, তেওঁ তেওঁলোকৰ পৰা পৃথক হ’ল আৰু
তেওঁক স্বৰ্গলৈ নিয়া হ’ল। ৫২ তেতিয়া তেওঁলোকে তেওঁক স্তুতি কৰি,
অতি আনন্দেৰে যিৰূচালেমলৈ উলটি আহিল; ৫৩ আৰু সদায় মন্দিৰত
ঈশ্বৰৰ প্ৰশংসা কৰি থাকিল।

# যোহন

১ আদিতে বাক্য আছিল; বাক্য ঈশ্বৰৰ সৈতে আছিল আৰু সেই
বাক্যই স্বয়ং ঈশ্বৰ। ২ এই বাক্য আদিতে ঈশ্বৰে সৈতে আছিল। ৩
তেওঁৰ দ্বাৰাই সকলো সৃষ্টি হ'ল আৰু যি সকলো হ'ল, সেইবোৰৰ
এটাও তেওঁৰ অবিহনে নহ'ল। ৪ জীৱন বাক্যতেই আৰু সেই জীৱনেই
সকলো মানুহৰ বাবে পোহৰ। ৫ সেই পোহৰ আন্ধাৰত উজ্বলি উঠিল
আৰু আন্ধাৰে তাক পৰাভূত নকৰিলে। ৬ ঈশ্বৰে যোহন নামেৰে এজন
মানুহক পঠিয়াইছিল। ৭ তেওঁ সেই পোহৰৰ বিষয়ে সাক্ষ্য দিবলৈ
এজন সাক্ষীৰূপে আহিছিল যাতে তেওঁৰ দ্বাৰাই সকলোৱে বিশ্বাস
কৰে। ৮ যোহন নিজে সেই পোহৰ নাছিল; তেওঁ সেই পোহৰৰ বিষয়ে
সাক্ষ্য দিবলৈহে আহিছিল। ৯ সেই পোহৰ জগতলৈ আহিছিল আৰু
সকলো মানুহকে পোহৰ দিয়া, সেই সত্য পোহৰ আছিল। ১০ তেওঁ
জগততে আছিল; জগত তেওঁৰ দ্বাৰাই সৃষ্টি হৈছিল, কিন্তু জগতে
তেওঁক নাজানিলে। ১১ যি জগত তেওঁৰ নিজৰেই, তেওঁ সেই ঠাইলৈ
আহিল, কিন্তু তেওঁৰ নিজৰ লোকেই তেওঁক গ্ৰহণ নকৰিলে। ১২
কিন্তু যিমান মানুহে তেওঁক গ্ৰহণ কৰিলে আৰু তেওঁৰ নামত বিশ্বাস
কৰিলে, সেই লোক সকলক ঈশ্বৰৰ সন্তান হ'বলৈ তেওঁ ক্ষমতা দিলে।
১৩ তেওঁলোকৰ জন্ম তেজৰ পৰা বা মাংসিক অভিলাষৰ পৰা বা
মানুহৰ ইচ্ছাৰ পৰা হ'ল, এনে নহয়, কিন্তু ঈশ্বৰৰ ইচ্ছাৰ পৰাহে
হৈছে। ১৪ সেই বাক্যই মাংস হ'ল; অনুগ্ৰহ আৰু সত্যতাৰে পৰিপূৰ্ণ
হৈ আমাৰ মাজত বসতি কৰিলে; তাতে পিতৃৰ একমাত্ৰ পুত্ৰ হিচাপে
তেওঁৰ যি মহিমা, সেই মহিমা আমি দেখিলোঁ। ১৫ যোহনে তেওঁৰ
বিষয়ে সাক্ষ্য দি চিঞৰি ক'লে, "যি জনৰ বিষয়ে মই কৈছিলোঁ, এৱেঁই
সেই জন। যি জন মোৰ পাছত আহিছে, তেওঁ মোতকৈ আগ হ'ল,
কাৰণ তেওঁ মোৰ পূৰ্বেও আছিল।" ১৬ আমি সকলোৱে তেওঁৰ সেই
পূৰ্ণতাৰ পৰা অনুগ্ৰহৰ ওপৰিও বিনামূলীয়া অনুগ্ৰহ পালোঁ। ১৭ কাৰণ
মোচিৰ দ্বাৰা বিধান দিয়া হৈছিল; কিন্তু অনুগ্ৰহ আৰু সত্যতা যীচু খ্ৰীষ্টৰ
দ্বাৰাহে আহিল। ১৮ ঈশ্বৰক কোনেও কেতিয়াও দেখা নাই; পিতৃৰ
কোলাত থকা একমাত্ৰ পুত্ৰই তেওঁক প্ৰকাশ কৰিলে। ১৯ যোহনে এই

সাক্ষ্য দিলে: ইহুদী সকলে যিৰূচালেমৰ পৰা কেইজনমান পুৰোহিত
আৰু লেবীক যোহনৰ ওচৰলৈ পঠালে। তেওঁলোকে আহি যোহনক
সুধিলে, “আপুনি কোন?” ২০ যোহনে অস্বীকাৰ নকৰি মুকলিকৈ উত্তৰ
দিলে, “মই খ্ৰীষ্ট নহয়।” ২১ তেতিয়া তেওঁলোকে তেওঁক সুধিলে,
“তেনেহলে কোন? আপুনি এলিয়া নেকি?” তেওঁ ক'লে, “নহয়, মই
নহওঁ;” তেওঁলোকে ক'লে, “তেনেহলে আপুনি সেই ভাৱবাদী নেকি?”
তেওঁ উত্তৰ দিলে, “নহওঁ।” ২২ তেতিয়া তেওঁলোকে তেওঁক ক'লে,
“তেনেহলে আপুনি কোন হয়? আমাক কওক যাতে যি সকলে আমাক
পঠাইছে, তেওঁলোকক আমি উত্তৰ দিব পাৰোঁ। আপোনাৰ নিজৰ
বিষয়ে আপুনি কি কয়?” ২৩ তেওঁ ক'লে, “যিচয়া ভাববাদীয়ে যি দৰে
কৈছিল, ‘ময়েই সেই মাত, যি জনে মৰুপ্ৰান্তত ৰিঙিয়াই কয়, প্ৰভুৰ
পথ পোন কৰা’।” ২৪ যোহনৰ ওচৰলৈ যি সকলক পঠোৱা হৈছিল,
তেওঁলোক ফৰীচী সম্প্ৰদায়ৰ আছিল। তেওঁলোকে যোহনক সুধিলে,
২৫ “আপুনি যদি খ্ৰীষ্টও নহয়, এলিয়াও নহয় বা ভাৱবাদীও নহয়,
তেনেহলে কিয় বাপ্তিস্ম দিছে?” ২৬ যোহনে তেওঁলোকক উত্তৰ দি
ক'লে, “মই হ'লে পানীতহে বাপ্তিস্ম দিছোঁ, কিন্তু আপোনালোকৰ
মাজত এনে এজন থিয় হৈ আছে, যি জনক আপোনালোকে চিনি
নাপায়। ২৭ তেৰেঁই সেই লোক যি জন মোৰ পাছত আহিছে। মই
তেওঁৰ ভৰিৰ পাদুকাৰ ফিটাৰ বান্ধ খুলিবৰো যোগ্য নহওঁ।” ২৮ যৰ্দ্দন
নদীৰ সিপাৰে বৈৎথনিয়া গাৱঁত, য'ত যোহনে বাপ্তিস্ম দি আছিল,
তাতে এই সকলো ঘটিল। ২৯ পাছদিনা যোহনে যীচুক তেওঁৰ ওচৰলৈ
অহা দেখি ক'লে, “সৌৱা চোৱা, ঈশ্বৰৰ মেৰ-পোৱালি, জগতৰ পাপ
বহন কৰি নিওঁতা জন! ৩০ এৰেঁই সেই লোক যি জনৰ বিষয়ে মই
কৈছিলোঁ যে, ‘যি জন মোৰ পাছত আহিছে, তেওঁ মোতকৈ আগ হ'ল,
কাৰণ তেওঁ মোৰ বহু আগেয়ে আছিল’। ৩১ মই তেওঁক চিনি পোৱা
নাছিলো; কিন্তু তেওঁ যেন ইস্রায়েলবাসীৰ আগত প্ৰকাশিত হব পাৰে,
সেই বাবে মই আহি পানীত বাপ্তিস্ম দিছোঁ।” ৩২ তাৰ পাছত যোহনে
সাক্ষ্য দি ক'লে, “মই স্বৰ্গৰ পৰা আত্মাক কপৌৰ নিচিনাকৈ নামি অহা,
আৰু তেওঁৰ ওপৰত থকা দেখিলোঁ। ৩৩ মই তেওঁক চিনি নাপালোঁ।

কিন্তু যি জনে পানীত বাপ্তিস্ম দিবলৈ মোক পঠালে, তেৱেঁ মোক
কৈছিল, 'তুমি যি জনৰ ওপৰত আত্মাক নামি অহা দেখিবা, তেৱেঁ সেই
জন, সেই জনে পবিত্ৰ আত্মাত বাপ্তিস্ম দিব।' ৩৪ মই সেয়া দেখিলোঁ
আৰু সাক্ষ্যও দিওঁ যে, এওঁ ঈশ্বৰৰ পুত্ৰ।" ৩৫ পাছদিনা যোহন, তেওঁৰ
দুজন শিষ্যৰে সৈতে থিয় হৈ আছিল। ৩৬ সেই সময়তে তেওঁলোকে
যীচুক খোজকাঢ়ি যোৱা দেখি যোহনে ক'লে, "সৌৱা, ঈশ্বৰৰ মেৰ-
পোৱালিক চোৱা!" ৩৭ সেই দুজন শিষ্যই যোহনৰ কথা শুনি যীচুক
অনুসৰণ কৰিবলৈ ধৰিলে। ৩৮ যীচুৱে মুখ ঘূৰাই তেওঁলোকক পাছে
পাছে অহা দেখি ক'লে, "তোমালোকক কি লাগে?" তেওঁলোকে
যীচুক ক'লে, "ৰব্বি, অৰ্থাৎ গুৰু, আপুনি ক'ত থাকে?" ৩৯ যীচুৱে
তেওঁলোকক ক'লে, "আহা, চোৱাহি।" তেতিয়া তেওঁলোকে গৈ তেওঁৰ
থকা ঠাই চালে আৰু সেইদিনা তেওঁৰ লগতে থাকিল, কাৰণ তেতিয়া
প্ৰায় সন্ধিয়া হবলৈ হৈছিল। ৪০ যি দুজনে যোহনৰ কথা শুনি, তেওঁৰ
পাছে পাছে গৈছিল তেওঁলোকৰ মাজৰ এজন হৈছে চিমোন পিতৰৰ
ভায়েক আন্দ্ৰিয়। ৪১ তেওঁ প্ৰথমতে তেওঁৰ ককায়েক চিমোনক লগ
পাই ক'লে, "আমি মচীহক অৰ্থাৎ খ্ৰীষ্টক দেখা পালোঁ।" ৪২ আন্দ্ৰিয়ই
চিমোনক যীচুৰ ওচৰলৈ লৈ আহিল। যীচুৱে তেওঁলৈ চাই ক'লে, "তুমি
যোহনৰ পুতেক চিমোন, তোমাক কৈফা বুলি মতা হব।" "কৈফা"
নামৰ অৰ্থ 'পিতৰ' অৰ্থাৎ শিল। ৪৩ পাছদিনা যীচুৱে যেতিয়া গালীল
প্ৰদেশলৈ যাবৰ বাবে ইচ্ছা কৰিলে, তেতিয়া যীচুৱে ফিলিপক দেখা
পাই ক'লে, "মোৰ পাছে পাছে আহা।" ৪৪ ফিলিপ বৈৎ-চৈদা গাৱঁৰ
লোক আছিল। আন্দ্ৰিয় আৰু পিতৰো সেই একে গাৱঁৰে লোক আছিল।
৪৫ ফিলিপে পাছত নথনেলক দেখা পাই ক'লে, "মোচিয়ে বিধান-
শাস্ত্ৰত যি জনৰ বিষয়ে লিখিছিল আৰু ভাৱবাদী সকলেও যি জনৰ
বিষয়ে লিখিছে, আমি তেওঁক দেখা পালোঁ; তেওঁ নাচৰত নিবাসী
যোচেফৰ পুতেক যীচু।" ৪৬ নথনেলে ফিলিপক ক'লে, "নাচৰতৰ
পৰা কোনো উত্তম বস্তু জানো ওলাব পাৰে?" ফিলিপে তেওঁক ক'লে,
"আহি চোৱাহি।" ৪৭ যীচুৱে নথনেলক নিজৰ ফালে আহি থকা দেখি,
তেওঁৰ বিষয়ে ক'লে, "এওঁক চোৱা, এজন প্ৰকৃত ইস্ৰায়েলী লোক।

তেওঁৰ ভিতৰত একো ছলনা নাই!” ৪৮ নথনেলে যীচুক সুধিলে,
“আপুনি মোক কেনেকৈ চিনি পালে?” যীচুৱে উত্তৰ দি তেওঁক ক'লে,
“ফিলিপে তোমাক মতাৰ আগেয়ে যেতিয়া তুমি ডিমৰু গছৰ তলত
আছিলা, মই তেতিয়াই তোমাক দেখিছিলোঁ।” ৪৯ নথনেলে তেওঁক
উত্তৰ দিলে, “ৰব্বি, আপুনিয়েই ঈশ্বৰৰ পুত্ৰ! আপুনিয়েই ইস্ৰায়েলৰ
ৰজা!” ৫০ যীচুৱে উত্তৰ দি তেওঁক ক'লে, “তোমাক ডিমৰু গছৰ
তলত দেখিছিলোঁ, এই কথা কোৱাৰ কাৰণেই বিশ্বাস কৰিছা নেকি?
ইয়াতকৈয়ো অনেক মহৎ বিষয় তুমি দেখিবলৈ পাবা।” ৫১ যীচুৱে
ক'লে, “মই তোমালোকক সঁচাকৈয়ে কওঁ, তোমালোকে স্বৰ্গৰ দুৱাৰ
মুকলি হোৱা দেখিবা আৰু ঈশ্বৰৰ দূত সকলে মানুহৰ পুত্ৰৰ ওপৰেদি
উঠি যোৱা আৰু নামি অহা দেখিবা।”

**২** তিন দিনৰ দিনা গালীল প্ৰদেশৰ কান্না নগৰত এখন বিয়া হৈছিল
আৰু যীচুৰ মাক তাত আছিল। ২ সেই বিয়ালৈ যীচু আৰু তেওঁৰ শিষ্য
সকলকো নিমন্ত্ৰণ কৰা হৈছিল। ৩ পাছত যেতিয়া দ্ৰাক্ষাৰস শেষ
হৈ আহিল, তেতিয়া যীচুৰ মাকে আহি যীচুক ক'লে, “তেওঁলোকৰ
দ্ৰাক্ষাৰস শেষ হ'ল।” ৪ যীচুৱে তেওঁক ক'লে, “হে নাৰী, এই কথাত
মোৰ সৈতে কি কাম? মোৰ এতিয়াও সময় হোৱা নাই।” ৫ তেওঁৰ
মাকে দাস সকলক ক'লে, “এওঁ তোমালোকক যিহকে কয়, তাকে
কৰিবাহঁক।” ৬ সেই ঠাইতে ইহুদী সকলৰ ৰীতি অনুসাৰে শুচি হবৰ
কাৰণে পাথৰৰ ছয়টা পানী থোৱা শিলৰ পাত্ৰ আছিল। সেইবোৰৰ
প্ৰত্যেকতে প্ৰায় আশীৰ পৰা এশ বিশ লিটাৰ পানী ধৰে। ৭ যীচুৱে
দাসবোৰক ক'লে, “এই পাত্ৰকেইটাত পানী ভৰাই দিয়া।” দাসবোৰে
তেতিয়া সেই পাত্ৰকেইটাৰ কাণলৈকে পূৰ্ণ কৰি পানী ভৰাই দিলে। ৮
তাৰ পাছত যীচুৱে সিহঁতক ক'লে, “এতিয়া তাৰ পৰা অলপ উলিয়াই
ভোজৰ অধিকাৰীৰ ওচৰলৈ লৈ যোৱা।” তাতে দাসবোৰে সেইদৰে
কৰিলে। ৯ ভোজৰ অধিকাৰীয়ে পানীৰ পৰা হোৱা সেই দ্ৰাক্ষাৰস চাকি
চালে; কিন্তু সেই ৰস ক'ৰ পৰা আহিল, তেওঁ নাজানিলে। যি দাসবোৰে
পানী তুলিছিল, সিহঁতেহে জানিলে। তেতিয়া ভোজৰ অধিকাৰীয়ে
দৰাক মাতি ক'লে, ১০ “সাধাৰণতে সকলো মানুহে প্ৰথমে উত্তম

দ্ৰাক্ষাৰস পৰিবেশন কৰে আৰু অতিথি সকলে সেয়া ইচ্ছামতে খোৱাৰ
পাছত, তেওঁলোকক আগতকৈ নিম্নমানৰ দ্ৰাক্ষাৰস পৰিবেশন কৰে।
কিন্তু তোমালোকে হ'লে এতিয়ালৈকে উত্তম দ্ৰাক্ষাৰস ৰাখি থৈছা।" ১১
গালীল প্ৰদেশৰ কান্না নগৰত এই প্ৰথম আচৰিত চিনৰ কাৰ্য কৰি
যীচুৱে নিজৰ মহিমা প্ৰকাশ কৰিলে। তাতে তেওঁৰ শিষ্য সকলে
তেওঁৰ ওপৰত বিশ্বাস কৰিলে। ১২ তাৰ পাছত যীচুৱে তেওঁৰ মাক,
ভায়েকহঁত আৰু শিষ্য সকলৰ সৈতে কফৰনাহূমলৈ গ'ল আৰু তাতে
তেওঁলোক কিছুদিন থাকিল। ১৩ ইহুদী সকলৰ নিস্তাৰ-পৰ্ব পালনৰ
সময় ওচৰ হোৱাত যীচু যিৰূচালেমলৈ গ'ল। ১৪ তেওঁ তাত গৈ দেখিলে
যে মন্দিৰৰ মাজত লোক সকলে ষাঁড়-গৰু, মেৰ, কপৌ চৰাই বেচি
আছে আৰু ধন সলোৱা লোক সকলো তাত বহি আছে। ১৫ তেতিয়া
তেওঁ কিছুমান ৰছীৰে এডাল চাবুক বনাই ললে আৰু সেইডালেৰে ষাঁড়-
গৰু, মেৰবোৰেৰে সৈতে সকলোকে মন্দিৰৰ পৰা খেদাই দিলে, আৰু
ধন সলোৱা সকলৰ টকা-পইচা সকলো বাকি দি সিহঁতৰ মেজবোৰ
লুটিয়াই পেলালে। ১৬ যি সকলে পাৰচৰাই বেচিছিল, তেওঁলোকক
ক'লে, "ইয়াৰ পৰা এইবোৰ লৈ যোৱা! মোৰ পিতৃৰ গৃহক ব্যৱসায়ৰ
গৃহ নকৰিবা।" ১৭ ইয়াতে শাস্ত্ৰত লিখা এই কথা তেওঁৰ শিষ্য সকলৰ
মনত পৰিল: "তোমাৰ গৃহৰ প্ৰতি মোৰ আগ্ৰহে মোক গ্ৰাস কৰিব।"
১৮ তেতিয়া ইহুদী নেতা সকলে যীচুক সুধিলে, "এইবোৰ আচৰিত
কাৰ্য কৰিবলৈ তুমি যে অধিকাৰ পাইছা, তাৰে কি প্ৰমাণ তুমি আমাক
দেখুৱাব পাৰিবা?" ১৯ যীচুৱে তেওঁলোকক ক'লে, "তোমালোকে
এই মন্দিৰ ভাঙি পেলোৱা, মই তিনি দিনত তাক তুলি ধৰিম।" ২০
তেতিয়া ইহুদী সকলে ক'লে, "এই মন্দিৰ নিৰ্ম্মাণ কৰোঁতে ছয়চল্লিশ
বছৰ লাগিছিল আৰু তুমি তাক তিন দিনতে তুলিবা নে?" ২১ কিন্তু
যীচুৱে মন্দিৰ বুলি নিজৰ দেহ-মন্দিৰৰ বিষয়লৈহে সেই কথা কৈছিল।
২২ সেয়ে, পাছত যেতিয়া যীচুক মৃত লোকৰ মাজৰ পৰা তোলা হ'ল,
তেতিয়া তেওঁৰ শিষ্য সকলৰ মনত পৰিল যে তেওঁ এই কথাই কৈছিল।
তেতিয়া তেওঁলোকে ধৰ্মশাস্ত্ৰৰ কথাত আৰু যীচুৰ এই কথাত বিশ্বাস
কৰিলে। ২৩ নিস্তাৰ-পৰ্বৰ সময়ত যিৰূচালেমত থাকোতে যীচুৱে

যিবোৰ আচৰিত কাম কৰি চিন দেখুৱালে, সেইবোৰ দেখি বহু মানুহে
তেওঁৰ নামত বিশ্বাস কৰিলে। ২৪ কিন্তু যীচুৱে হ'লে তেওঁলোকৰ
ওপৰত নিজে কোনো বিশ্বাস স্থাপন নকৰিলে, কাৰণ তেওঁ সকলো
লোককে জানিছিল। ২৫ মানুহৰ সম্পৰ্কে কোনো লোকৰ সাক্ষ্যৰ
প্ৰয়োজন তেওঁৰ নাছিল; কিয়নো মানুহৰ অন্তৰত কি আছে, তেওঁ
নিজে তাক জানিছিল।

৩ ফৰীচী সকলৰ মাজত নীকদীম নামেৰে এজন লোক আছিল। তেওঁ
ইহুদী পৰিষদৰ এজন অধিকাৰী আছিল। ২ এদিন ৰাতি তেওঁ যীচুৰ
ওচৰলৈ আহি ক'লে, "ৰব্বি, আমি জানো যে আপুনি ঈশ্বৰৰ ওচৰৰ
পৰা অহা এজন শিক্ষক। কিয়নো আপুনি এই যি যি আচৰিত চিন
দেখুৱাইছে, ঈশ্বৰ সঙ্গী নহ'লে এনে চিন কোনেও দেখুৱাব নোৱাৰে।"
৩ উত্তৰত যীচুৱে নীকদীমক ক'লে, "মই আপোনাক সঁচাকৈয়ে কওঁ,
নতুন জন্ম নহ'লে, কোনেও ঈশ্বৰৰ ৰাজ্য দেখা পাব নোৱাৰে।" ৪
নীকদীমে তেওঁক ক'লে, "মানুহ বুঢ়া হ'লে, কেনেকৈ তেওঁৰ জন্ম
হ'ব পাৰে? তেওঁ দ্বিতীয় বাৰ মাকৰ গৰ্ভত সোমাই জন্ম গ্ৰহণ কৰিব
পাৰিব নে?" ৫ যীচুৱে উত্তৰ দিলে, "মই আপোনাক সঁচাকৈয়ে কৈছোঁ,
জল আৰু আত্মাৰ পৰা জন্ম নহ'লে, কোনেও ঈশ্বৰৰ ৰাজ্যত সোমাব
নোৱাৰে।" ৬ শৰীৰৰ পৰা যাৰ জন্ম হয়, সেয়ে শৰীৰ হয় আৰু
আত্মাৰ পৰা যাৰ জন্ম হয়, সেয়ে আত্মা হয়। ৭ মই যে আপোনাক
'আপোনালোকৰ নতুনকৈ জন্ম হোৱা প্ৰয়োজন' বুলি ক'লো, এই
কথাত বিস্মিত নহ'ব। ৮ বায়ুৱে যি দিশলৈ ইচ্ছা কৰে সেই দিশলৈকে
বয়। আপুনি তাৰ শব্দ শুনিবলৈ পায়, কিন্তু ক'ৰ পৰা আহে বা ক'লৈনো
যায়, সেই বিষয়ে আপুনি নাজানে। আত্মাৰ পৰা যি সকলৰ জন্ম হয়,
তেওঁলোক সকলোৰে তেনেকুৱা হয়।" ৯ নীকদীমে উত্তৰ দি তেওঁক
ক'লে, "এইবোৰ কেনেকৈ হ'ব পাৰে?" ১০ যীচুৱে উত্তৰ দি তেওঁক
ক'লে, "আপুনি ইস্ৰায়েলৰ শিক্ষক হৈয়ো এইবোৰ কথা নুবুজে নে?
১১ আপোনাক সঁচাকৈয়ে কওঁ, আমি যি জানো তাকে কওঁ আৰু যি
দেখো সেই বিষয়ত সাক্ষ্য দিওঁ, কিন্তু আপোনালোকে আমাৰ সাক্ষ্য
গ্ৰহণ নকৰে। ১২ মই আপোনালোকক পাৰ্থিৱ বিষয়ৰ কথা ক'লে

আপোনালোকে যদি বিশ্বাস নকৰে, তেনেহলে মই স্বৰ্গীয় বিষয়ৰ
কোনো কথা ক'লে কেনেকৈ বিশ্বাস কৰিব? ১৩ যি জন স্বৰ্গৰ পৰা
নামি আহিল, সেই মানুহৰ পুত্ৰৰ বাহিৰে কোনো স্বৰ্গলৈ উঠা নাই। ১৪
মোচিয়ে যেনেকৈ মৰুপ্ৰান্তত সাপটোক ওপৰত তুলিছিল, তেনেকৈ
মানুহৰ পুত্ৰকো অৱশ্যেই ওপৰত উঠোৱা হ'ব, ১৫ যাতে তেওঁত
বিশ্বাস কৰা সকলোৱে অনন্ত জীৱন পাব পাৰে। (aiōnios g166) ১৬
কাৰণ ঈশ্বৰে জগতক ইমান প্ৰেম কৰিলে যে, তেওঁ নিজৰ একমাত্ৰ
পুত্ৰকে দান কৰিলে, যাতে যি কোনোৱে তেওঁত বিশ্বাস কৰে, তেওঁ নষ্ট
নহয়, কিন্তু অনন্ত জীৱন পায়। (aiōnios g166) ১৭ কিয়নো জগতক
দোষী সাব্যস্ত কৰিবলৈ নহয়, কিন্তু জগতে তেওঁৰ দ্বাৰাই পৰিত্ৰাণ
পাবলৈহে ঈশ্বৰে পুত্ৰক জগতলৈ পঠিয়ালে। ১৮ তেওঁত বিশ্বাস কৰা
জনৰ সোধ-বিচাৰ কৰা নহয়; বিশ্বাস নকৰা জনক দোষী কৰা হ'ল,
কিয়নো তেওঁ একমাত্ৰ ঈশ্বৰৰ পুত্ৰৰ নামত বিশ্বাস কৰা নাই। ১৯
সোধ-বিচাৰৰ কাৰণ এয়ে যে, জগতলৈ পোহৰ আহিল, কিন্তু মানুহে
পোহৰতকৈ আন্ধাৰক অধিক প্ৰেম কৰিলে; কাৰণ তেওঁলোকৰ কৰ্ম
মন্দ আছিল। ২০ কিয়নো যি জনে কু-আচৰণ কৰে, তেওঁ পোহৰক ঘৃণা
কৰে আৰু তেওঁৰ কৰ্ম যেন প্ৰকাশ নাপায়, এই কাৰণে তেওঁ পোহৰলৈ
নাহে। ২১ কিন্তু যি জনে সত্য আচৰণ কৰে, তেওঁ পোহৰৰ ওচৰলৈ
আহে যাতে সেই পোহৰত স্পষ্ট বুজা যায় যে তেওঁৰ সকলো কৰ্ম
ঈশ্বৰৰ বাধ্যতাত হৈছে।" ২২ তাৰ পাছত যীচু আৰু তেওঁৰ শিষ্য সকল
যিহুদীয়া প্ৰদেশলৈ গ'ল। তাত তেওঁ শিষ্য সকলৰ সৈতে কিছুদিন
থাকি লোক সকলক বাপ্তিস্ম দি আছিল। ২৩ যোহনেও চালীম নামৰ
গাওঁ খনৰ ওচৰতে থকা ঐনোন নামৰ ঠাই খনত বহুত পানী থকাৰ
কাৰণে তাতে বাপ্তিস্ম দি আছিল আৰু লোক সকলেও তেওঁৰ ওচৰলৈ
আহি বাপ্তিস্ম লৈছিল। ২৪ তেতিয়াও যোহন বন্দীশালত বন্দী হোৱা
নাছিল। ২৫ সেই সময়ত ইহুদী ৰীতি অনুসাৰে শুচি হোৱাৰ বিষয়টো
লৈ যোহনৰ কেইজনমান শিষ্য আৰু এজন ইহুদী মানুহৰ মাজত তৰ্ক-
বিতৰ্কৰ সৃষ্টি হ'ল। ২৬ পাছত তেওঁলোকে যোহনৰ ওচৰলৈ গৈ ক'লে,
"ৰব্বি, যৰ্দ্দন নদীৰ সিপাৰে যি জন লোক আপোনাৰ লগত আছিল

আৰু যি জনৰ বিষয়ে আপুনি সাক্ষ্য দিছিলে, চাওক, তেওঁ বাপ্তিস্ম দি
আছে। আৰু সকলো মানুহ তেওঁৰ ওচৰলৈ গৈ আছে।” ২৭ যোহনে
উত্তৰ দিলে, “স্বৰ্গৰ পৰা দিয়া নহ’লে কোনেও একোকে লাভ কৰিব
নোৱাৰে। ২৮ মই কৈছিলোঁ যে ‘মই খ্ৰীষ্ট নহওঁ, কিন্তু মোক তেওঁৰ
আগেয়ে পঠোৱা হৈছে’ এই কথাৰ সাক্ষ্য তোমালোকে নিজেই দিব
পাৰা। ২৯ যি জনৰ হাতত কইনাক দিয়া হয়, তেওঁ দৰা। কিন্তু দৰাৰ
বন্ধু জন থিয় হৈ থাকে আৰু দৰাৰ কথা শুনে। দৰাৰ মাত যেতিয়া শুনে
বন্ধু জন অতিশয় আনন্দিত হয়। তেনেহলে মোৰো সেই আনন্দ সম্পূৰ্ণ
হ’ল। ৩০ তেওঁ বাঢ়ি বাঢ়ি যাব লাগে, কিন্তু মই হ’লে সৰু হৈ হৈ যাব
লাগে। ৩১ যি জন ওপৰৰ পৰা আহিছে, তেওঁ সকলোৰে ওপৰত। যি
জন জগতৰ পৰা আহে, তেওঁ জগতৰ আৰু তেওঁ জাগতিক কথাহে
কয়; কিন্তু যি জন স্বৰ্গৰ পৰা আহিছে, তেওঁ সকলোতকৈ উৰ্দ্ধত। ৩২
তেওঁ যি দেখিলে আৰু শুনিলে, তাৰে সাক্ষ্য দিয়ে; কিন্তু তেওঁৰ সাক্ষ্য
কোনেও গ্ৰহন নকৰে। ৩৩ যি জনে তেওঁৰ সাক্ষ্য গ্ৰহন কৰিছে, তেওঁ
তাৰ দ্বাৰাই প্ৰমাণ কৰে যে ঈশ্বৰেই সত্য। ৩৪ কাৰণ ঈশ্বৰে যি জনক
পঠিয়াইছে, তেওঁ ঈশ্বৰৰ কথাকে কয়; ঈশ্বৰে তেওঁক জোখ-মাপ কৰি
তেওঁৰ আত্মা দিয়া নাই। ৩৫ পিতৃয়ে পুত্ৰক প্ৰেম কৰে আৰু তেওঁৰ
হাতত সকলো শোধাই দিলে। ৩৬ পুত্ৰত বিশ্বাস কৰা জনৰ অনন্ত
জীৱন আছে; পুত্ৰক অমান্য কৰা জনে জীৱনৰ দৰ্শন নাপাব, কিন্তু
ঈশ্বৰৰ ক্ৰোধহে তেওঁৰ ওপৰত থাকে।” **(aiōnios g166)**

**4** যোহনতকৈ যীচুৱে যে বেছি শিষ্য কৰি বাপ্তিস্ম দি আছে, এই কথা
ফৰীচী সকলে শুনিছে বুলি যীচুৱে জানিব পাৰিলে; ২ যদিও যীচুৱে
নিজে বাপ্তিস্ম দিয়া নাছিল, কিন্তু তেওঁৰ শিষ্য সকলেহে দিছিল। ৩
তেতিয়া তেওঁ যিহুদীয়া প্ৰদেশ এৰি পুনৰ গালীল প্ৰদেশলৈ গ’ল। ৪
গালীললৈ যোৱাৰ সময়ত তেওঁ চমৰীয়া প্ৰদেশৰ মাজেদি যাব লগা
হ’ল। ৫ তেওঁ চমৰীয়াৰ চুখৰ নামৰ এখন নগৰলৈ আহিল। এই
নগৰ খন যাকোবে তেওঁৰ পুতেক যোচেফক যি ডোখৰ মাটি দিছিল,
তাৰ ওচৰতে আছিল। ৬ সেই ঠাইতে যাকোবৰ নাদ আছিল। যাত্ৰা
কৰি শ্ৰান্ত হৈ পৰাত যীচুৱে গৈ সেই নাদৰ দাঁতিত বহিল। তেতিয়া

সময় প্ৰায় ভৰ-দুপৰীয়া আছিল। ৭ এনে সময়তে চমৰীয়াৰ এগৰাকী
মহিলাই পানী তুলিবলৈ আহিল। যীচুৱে তেওঁক ক’লে, “মোক অলপ
পানী খাবলৈ দিয়াছোন।” ৮ সেই সময়ত যীচুৰ শিষ্য সকলে নগৰলৈ
খোৱা বস্তু কিনিবলৈ গৈছিল। ৯ সেই চমৰীয়া মহিলা গৰাকীয়ে যীচুক
ক’লে, “আপুনি এজন ইহুদী মানুহ হৈয়ো মোৰ পৰা কেনেকৈ পানী
খাব খুজিছে? মইতো চমৰীয়া মহিলা!” কিয়নো সেই সময়ত ইহুদী
সকলে চমৰীয়া সকলৰ লগত কোনো ধৰণৰ মিলা প্ৰীতি নাছিল।
১০ যীচুৱে উত্তৰ দি তেওঁক ক’লে, “তুমি যদি জানিলাহেঁতেন যে
ঈশ্বৰৰ দান কি আৰু কোনে তোমাক ‘মোক পানী খাবলৈ দিয়া’ বুলি
কৈছে, তেনেহলে তুমিয়েই তেওঁক খুজিলাহেঁতেন আৰু তেৰোঁ তোমাক
জীৱনময় পানী দিলেহেঁতেন।” ১১ সেই মহিলাই তেতিয়া উত্তৰ দিলে,
“মহাশয়, আপোনাৰ ওচৰত পানী তুলিবলৈ পাত্ৰ নাই আৰু নাদটোও
গভীৰ; তেনেহলে আপুনি ক’ৰ পৰা সেই জীৱনময় পানী পাব? ১২
আপুনি জানো আমাৰ পিতৃপুৰুষ যাকোবতকৈ মহান? তেওঁ আমাক
এই নাদটো দি গ’ল। তেওঁ নিজে এই নাদৰ পানী খাইছিল। তেওঁৰ
সন্তান আৰু পশুবোৰেও ইয়াৰ পানী খাইছিল।” ১৩ যীচুৱে উত্তৰ দি
তেওঁক ক’লে, “এই পানী খোৱা প্ৰতিজনৰ আকৌ পিয়াহ লাগিব; ১৪
কিন্তু মই যি পানী দিম, তাক যি কোনোৱে পান কৰে, তেওঁৰ কোনো
কালে পিয়াহ নালাগিব। বৰং মই যি পানী তেওঁক দিম, সেই পানী
তেওঁৰ ভিতৰত অনন্ত জীৱনলৈকে বুৰবুৰাই ওলাই থকা পানীৰ ভুমুক
হ’ব।” **(aiōn g165, aiōnios g166)** ১৫ সেই মহিলাই তেওঁক ক’লে, “হে
মহাশয়, মোৰ পিয়াহ যেন নালাগে আৰু পানী তুলিবলৈ যেন ইয়ালৈ
আহিব নালাগে, এই কাৰণে সেই পানী মোক দিয়ক।” ১৬ যীচুৱে
তেওঁক ক’লে, “যোৱা, তোমাৰ স্বামীক ইয়ালৈ মাতি আনাগৈ।” ১৭
সেই মহিলাই উত্তৰ দি তেওঁক ক’লে, “মোৰ স্বামী নাই।” যীচুৱে
তেওঁক ক’লে, “তুমি ঠিকেই কৈছা যে তোমাৰ স্বামী নাই। ১৮ কিয়নো
তোমাৰ স্বামী পাঁচ জন হৈ গ’ল আৰু এতিয়া যি জন আছে, তেৰোঁ
তোমাৰ স্বামী নহয়; সেয়ে তুমি যি কৈছা ই সঠিক!” ১৯ সেই তিৰোতাই
যীচুক ক’লে, “মহাশয়, মই দেখিছোঁ, আপুনি এজন ভাৱবাদী। ২০

আমাৰ পিতৃপুৰুষ সকলে এই পৰ্বতৰ ওপৰত ভজনা কৰিছিল; কিন্তু
আপোনালোক ইহুদী সকলে কয় যে যিৰূচালেমেই সেই ঠাই য'ত
লোক সকলে ভজনা কৰা উচিত।" ২১ যীচুৱে তেওঁক ক'লে, "হে নাৰী,
মোৰ কথা বিশ্বাস কৰা! এনে কাল আহিছে যেতিয়া তোমালোকে
পিতৃ ঈশ্বৰৰ ভজনা এই পৰ্বতত নাইবা যিৰূচালেমত নকৰিবা। ২২
তোমালোকে যিহক নাজানা, তাৰ ভজনা কৰা; আমি যিহক জানো তাৰ
ভজনা কৰোঁ; কিয়নো পৰিত্ৰাণ ইহুদী লোকৰ মাজৰ পৰাই আহিছে।
২৩ কিন্তু যি কালত স্বৰূপ ভকত সকলে আত্মাৰে আৰু সত্যেৰে পিতৃৰ
ভজনা কৰিব, এনে কাল আহিছে, এনে কি এতিয়াই সেই সময় হৈছে;
কিয়নো পিতৃয়ে এনেকুৱা ভকত সকলকহে বিচাৰে। ২৪ ঈশ্বৰেই
আত্মা আৰু তেওঁৰ ভজনা কৰা সকলে আত্মাৰে আৰু সত্যেৰে তেওঁক
ভজনা কৰিব লাগে।" ২৫ সেই মহিলাই তেওঁক ক'লে, "মচীহ, যি
জনক খ্ৰীষ্ট বোলা হয়, তেওঁ যে আহি আছে সেই বিষয়ে মই জানো।
তেওঁ যেতিয়া আহিব, তেতিয়া আমাক সকলো কথা জনাব।" ২৬
যীচুৱে তেওঁক ক'লে, "তোমাৰে সৈতে কথা-বাৰ্ত্তা হোৱা ময়েই সেই
মচীহ।" ২৭ তেনে সময়তে তেওঁৰ শিষ্য সকল ঘূৰি আহিল আৰু
এগৰাকী মহিলাৰ সৈতে যীচুক কথা পাতি থকা দেখি আচৰিত হ'ল।
তথাপি কোনেও তেওঁক এই কথা নুসুধিলে "আপুনি কি বিচাৰিছে?" বা
"কি কাৰণে আপুনি তেওঁৰ লগত কথা পাতিছে?" ২৮ সেই মহিলা
গৰাকীয়ে তেতিয়া নিজৰ পানী লোৱা পাত্ৰ তাতে এৰি থৈ নগৰলৈ গৈ
লোক সকলক মাতি ক'লে, ২৯ "আহাঁছোন, এজন মানুহক চোৱাঁহি;
মই যি সকলো কৰিলোঁ, তেওঁ সেই সকলোকে মোক ক'লে। এই
জনেই সেই খ্ৰীষ্ট নেকি?" ৩০ তেতিয়া লোক সকলে নগৰৰ পৰা ওলাই
যীচুৰ ওচৰলৈ আহিব ধৰিলে।। ৩১ ইয়াৰ মাজতে শিষ্য সকলে তেওঁক
অনুৰোধ কৰি ক'লে, "ৰব্বি, আপুনি অলপ মান কিবা খাই লওঁক।" ৩২
কিন্তু তেওঁ তেওঁলোকক ক'লে, "মোৰ এনে আহাৰ খাবলগীয়া আছে,
যিহৰ বিষয়ে তোমালোকে নাজানা।" ৩৩ শিষ্য সকলে পৰস্পৰে
কোৱা-কুই কৰিবলৈ ধৰিলে, "তেনেহলে কি কোনোবাই তেওঁলৈ খোৱা
বস্তু আনি দিলে নেকি?" ৩৪ যীচুৱে তেওঁলোকক ক'লে, "মোক পঠোৱা

জনৰ ইচ্ছা পালন কৰা, আৰু তেওঁৰ কাৰ্য সিদ্ধ কৰাই মোৰ আহাৰ।
৩৫ তোমালোকে প্ৰায়েই নোকোৱা নে ‘আৰু চাৰিমাহ বাকী আছে, তাৰ
পাছতে ধান দাবৰ সময় হ’ব?’ কিন্তু, মই হ’লে তোমালোকক কওঁ,
তোমালোকে চকু তুলি পথাৰলৈ চোৱা, এতিয়াও দাবলৈ ধান পকি
আছে। ৩৬ যি জনে দায়, তেওঁ বেচ পায় আৰু অনন্ত জীৱনলৈ শস্য
চপায়; তাতে যি জনে ধান ৰোৱে আৰু ধান দায়, দুয়োৱে একেলগে
আনন্দ কৰে। (aiōnios g166) ৩৭ ইয়াত এই কথাটো সত্য যে, ‘এজনে
ৰোৱে আৰু আন জনে দায়’। ৩৮ মই তোমালোকক এনে শস্য দাবলৈ
পঠালোঁ, যিহৰ কাৰণে তোমালোকে শ্ৰম কৰা নাই; তাৰ কাৰণে আন
লোকে পৰিশ্ৰম কৰিলে আৰু তোমালোকে তেওঁলোকৰেই শ্ৰমৰ শস্য
গোটাইছা।” ৩৯ যি মহিলা গৰাকীয়ে সাক্ষ্য দিছিল যে “মই যি সকলো
কৰিলোঁ, তেওঁ মোক সেই সকলোকে ক’লে,” তেওঁৰ কথাত সেই
নগৰৰ অনেক চমৰীয়া মানুহে যীচুত বিশ্বাস কৰিলে। ৪০ লোক সকলে
যীচুৰ ওচৰলৈ আহি তেওঁক তেওঁলোকৰ লগত কিছুদিন থাকিবলৈ
অনুৰোধ কৰিলে। তেওঁ তাত দুদিন থাকিল। ৪১ তেওঁৰ কথা শুনি
অনেকে বিশ্বাস কৰিলে। ৪২ তেওঁলোকে সেই মহিলা গৰাকীক ক’লে,
“এতিয়া যে আমি বিশ্বাস কৰিছোঁ, কেৱল তোমাৰ কথাতে নহয়, কিন্তু
আমি নিজেই তেওঁৰ কথা শুনি বুজি পালোঁ যে, এওঁ সঁচাকৈয়ে জগতৰ
ত্ৰাণকৰ্তা।” ৪৩ দুদিনৰ পাছত তেওঁ তাৰ পৰা গালীল প্ৰদেশলৈ
গ’ল। ৪৪ কাৰণ যীচুৱে নিজে কৈছিল যে, কোনো ভাববাদীয়ে নিজৰ
দেশত মৰ্যদা নাপায়; ৪৫ তেওঁ যেতিয়া গালীল প্ৰদেশলৈ আহিল,
তেতিয়া গালীলীয়া লোক সকলে তেওঁক সাদৰেৰে গ্ৰহণ কৰিলে;
কাৰণ তেওঁলোকো সেই নিস্তাৰ পৰ্বৰ সময়ত যিৰূচালেমলৈ গৈছিল
আৰু তাতে নিস্তাৰ পৰ্বৰ সময়ত তেওঁ যি যি কৰিছিল, সেই সকলো
তেওঁলোকে দেখিছিল। ৪৬ পাছত তেওঁ গালীল প্ৰদেশৰ কান্না নগৰলৈ
পুনৰ আহিল। ইয়াতে তেওঁ পানীক দ্ৰাক্ষাৰসলৈ পৰিণত কৰিছিল।
তেতিয়া কফৰনাহূম নগৰত কোনো এজন ৰাজ-কৰ্মচাৰীৰ পুত্ৰ অসুস্থ
হৈ আছিল। ৪৭ তেওঁ যেতিয়া শুনিলে যে যীচু যিহুদীয়াৰ পৰা গালীল
প্ৰদেশলৈ ঘূৰি আহিছে, তেতিয়া তেওঁ যীচুৰ ওচৰলৈ গৈ অনুৰোধ কৰি

ক’লে, যীচুৱে যেন আহি তেওঁৰ ল’ৰাক সুস্থ কৰি দিয়ে; কিয়নো তেওঁৰ
ল’ৰা জন তেতিয়া মৰোঁ মৰোঁ অৱস্থাত আছিল। ৪৮ যীচুৱে তেতিয়া
তেওঁক ক’লে, “আপোনালোকে কোনো অদ্ভুত চিন আৰু আচৰিত কাৰ্য
নেদেখিলে, মোৰ ওপৰত বিশ্বাস নকৰিব।” ৪৯ সেই ৰাজকৰ্মচাৰী
জনে তেওঁক ক’লে, “মহাশয়, দয়া কৰি মোৰ ল’ৰাটিৰ মৃত্যু নহওতেই
আহক!” ৫০ যীচুৱে তেওঁক ক’লে, “ঘৰলৈ যাওক, আপোনাৰ ল’ৰা
জনে জীৱন পালে।” মানুহ জনে যীচুৱে কোৱা কথাত বিশ্বাস কৰিলে
আৰু ঘৰলৈ গুছি গ’ল। ৫১ তেওঁ যেতিয়া ঘৰলৈ উলটি গৈ আছিল,
তেতিয়া বাটত তেওঁৰ দাসবোৰে লগ পাই ক’লে, “আপোনাৰ ল’ৰা জন
জীয়াই উঠিল।” ৫২ তেতিয়া তেওঁ সিহঁতক সুধিলে, “সি কেতিয়াৰ পৰা
ভাল হ’বলৈ ধৰিলে?” সিহঁতে তেওঁক ক’লে, “কালি দুপৰীয়া সময়ত
তাৰ জ্বৰ এৰিলে।” ৫৩ ল’ৰাটোৰ বাপেকে বুজিব পাৰিলে যে ঠিক
সেই সময়তে যীচুৱে তেওঁক কৈছিল, “আপোনাৰ ল’ৰা জনে জীৱন
পালে।” তেতিয়া সেই ৰাজকৰ্মচাৰী আৰু তেওঁৰ ঘৰৰ সকলোৱে যীচুত
বিশ্বাস কৰিলে। ৫৪ যীচুৱে পুণৰ যিহুদীয়াৰ পৰা গালীল প্ৰদেশলৈ গৈ
এইটো দ্বিতীয় আচৰিত চিন দেখুৱালে।

৫ এই ঘটনাৰ পাছত যীচু যিৰূচালেমলৈ গ’ল, কাৰণ সেই সময়ত
ইহুদী সকলৰ এটা পৰ্ব আছিল। ২ যিৰূচালেমত মেষ-দ্বাৰৰ ওচৰত
এটা পুখুৰী আছে। ইব্ৰী ভাষাত সেই পুখুৰীটোক ‘বৈথেচদা’ বোলা
হয়। পুখুৰীটোত পাঁচোটা চালি দিয়া ঘাট আছিল। ৩ সেইবোৰত
কণা, খোৰা, নিচলা আদি কৰি অনেক ৰুগীয়া মানুহ পৰি থাকে। সেই
লোক সকলে পানীত খলকনি উঠাৰ অপেক্ষাত থাকে। কাৰণ সময়ে
সময়ে প্ৰভুৰ এজন দূতে সেই পুখুৰীলৈ নামি গৈ পানীত আলোড়ন
তোলে আৰু সেই আলোড়নৰ পাছতেই প্ৰথমে যি জনে পানীত নামিব
পাৰে, তেওঁৰ যি কোনো ৰোগ ভাল হৈ যায়। ৫ তাত আঠত্ৰিশ বছৰ
ধৰি বেমাৰ ভোগ কৰি থকা এজন ৰুগীয়া মানুহ আছিল। ৬ যীচুৱে
তেওঁক পৰি থকা দেখি আৰু বহু দিনৰ ৰোগী যেন জানি, তেওঁক
সুধিলে, “তুমি সুস্থ হ’বলৈ ইচ্ছা কৰা নে?” ৭ ৰোগী জনে তেওঁক উত্তৰ
দিলে, “মহাশয়, যেতিয়া পানীত খলকনি উঠে, তেতিয়া পুখুৰীত নমাই

দিবলৈ মোৰ কোনো মানুহ নাই; সেয়ে, মই যাওঁতে যাওঁতে মোতকৈ
আগেয়ে আনে নামেগৈ।" ৮ যীচুৱে তেওঁক ক'লে, "উঠা, তোমাৰ
শয্যা তুলি লৈ খোজকাঢ়ি ফুৰা।" ৯ তেতিয়াই সেই মানুহ জনে সুস্থ
হ'ল আৰু নিজৰ শয্যা তুলি লৈ খোজ কাঢ়িবলৈ ধৰিলে। ১০ সেই
দিনটো বিশ্ৰামবাৰ আছিল; সেয়েহে ইহুদী সকলে সুস্থ হোৱা জনক
ক'লে, "আজি বিশ্ৰামবাৰ; বিধানৰ মতে শয্যা তুলি নিব নাপায়।" ১১
কিন্তু তেওঁ তেওঁলোকক উত্তৰ দিলে, "যি জনে মোক সুস্থ কৰিলে,
সেই জনেই মোক ক'লে, বোলে তোমাৰ শয্যা তুলি লৈ খোজকাঢ়ি
ফুৰা।" ১২ তেওঁলোকে তেওঁক সুধিলে, "তোমাৰ শয্যা তুলি লৈ
খোজকাঢ়ি যোৱা বুলি কোৱা সেই মানুহ জন কোন?" ১৩ কিন্তু সুস্থ
হোৱা মানুহ জনে 'তেওঁ কোন আছিল' তাক জনা নাছিল। কিয়নো
সেই ঠাইত অনেকে ভিৰ কৰাত, যীচু আতৰি গৈছিল। ১৪ পাছত
যীচুৱে মন্দিৰত তেওঁক দেখা পাই ক'লে, "চোৱা তুমি এতিয়া সুস্থ
হ'লা! আৰু পাপ নকৰিবা, যাতে তোমাৰ অধিক ক্ষতি নহয়।" ১৫
তেতিয়া সেই মানুহে গৈ ইহুদী সকলক ক'লে, "যি জনে মোক সুস্থ
কৰিলে, তেওঁ যীচু।" ১৬ এই কাৰণতে ইহুদী সকলে যীচুক তাড়না
কৰিবলৈ ধৰিলে, কাৰণ তেওঁ বিশ্ৰামবাৰে এইবোৰ কৰ্ম কৰিলে। ১৭
যীচুৱে তেওঁলোকক ক'লে, "মোৰ পিতৃয়ে এতিয়ালৈকে কৰ্ম কৰি
আছে, ময়ো কৰিছোঁ।" ১৮ যীচুৰ এই কথাৰ কাৰণে ইহুদী সকলে
তেওঁক বধ কৰিবলৈ উপায় বিচাৰিলে। কিয়নো যীচুৱে যে কেৱল
বিশ্ৰামবাৰৰ বিধান লঙ্ঘন কৰিলে, এনে নহয়, তেওঁ ঈশ্বৰক নিজৰ
পিতৃ বুলি মাতি নিজকে ঈশ্বৰৰ সমান কৰিলে। ১৯ ইয়াৰ উত্তৰত
যীচুৱে তেওঁলোকক ক'লে, "মই সঁচাকৈয়ে আপোনালোকক কওঁ,
পুত্ৰই নিজৰ পৰা একো কৰিব নোৱাৰে। পিতৃক যি যি কৰা দেখে,
কেৱল তাকেহে কৰিব পাৰে। ২০ কাৰণ, পিতৃয়ে পুত্ৰক প্ৰেম কৰে
আৰু নিজে যি কৰে সেই সকলোকে পুত্ৰক দেখুৱায়। আপোনালোক
যেন অধিক আচৰিত হৈ যায়, তাৰ বাবে তেওঁ ইয়াতকৈয়ো মহৎ মহৎ
কৰ্ম পুত্ৰক দেখুৱাব। ২১ পিতৃয়ে যেনেকৈ মৃতকক তুলি জীৱন দিয়ে,
পুত্ৰয়ো যি জনকে ইচ্ছা কৰে, তেওঁক জীৱন দিয়ে। ২২ পিতৃয়ে কোনো

জনৰ সোধ-বিচাৰ নকৰে, কিন্তু সমস্ত বিচাৰৰ ভাৰ তেওঁ পুত্ৰক দিলে,
২৩ যাতে পিতৃক যেনেকৈ সকলোৱে সন্মান কৰে, তেনেকৈ পুত্ৰকো
যেন সন্মান কৰে; যি জনে পুত্ৰক সন্মান নকৰে, তেওঁ তেওঁক পঠোৱা
পিতৃকো সন্মান নকৰে। ২৪ মই সঁচাকৈয়ে কওঁ, যি জনে মোৰ কথা
শুনি মোক পঠোৱা জনত বিশ্বাস কৰে, তেওঁৰ অনন্ত জীৱন আছে
আৰু তেওঁ দোষীৰূপে বিবেচিত নহ'ব, কিন্তু মৃত্যুৰ পৰা জীৱনলৈ পাৰ
হ'ল। **(aiōnios g166)** ২৫ আপোনালোকক সঁচাকৈয়ে কওঁ, যি সময়ত
মৃত লোকে ঈশ্বৰৰ পুত্ৰৰ মাত শুনিব, এনে সময় আহি আছে, বৰং
আহি পালেহি আৰু যি সকলে শুনিব, তেওঁলোক জীৱ। ২৬ কিয়নো
পিতৃ নিজে যেনেকৈ জীৱনৰ আধিকাৰী, তেনেকৈ তেওঁ পুত্ৰকো নিজে
জীৱনৰ অধিকাৰী হবলৈ দিলে। ২৭ পিতৃয়ে সেই পুত্ৰৰ হাতত মানুহৰ
সকলো সোধ-বিচাৰৰ ক্ষমতা দিলে, কাৰণ তেওঁ মানুহৰ পুত্ৰ। ২৮
এই কথা শুনি বিস্মিত নহ'ব; কিয়নো এনে সময় আহিছে, যি সকল
মৈদামত আছে, তেওঁলোক সকলোৱে মনুষ্য পুত্ৰৰ মাত শুনিব ২৯
আৰু ওলাই আহিব। সৎকৰ্ম কৰা সকল জীৱনৰ পুনৰুত্থানলৈ, দুষ্টকৰ্ম্ম
কৰা সকল সোধ-বিচাৰৰ পুনৰুত্থানলৈ ওলাই আহিব। ৩০ মই নিজে
একো কৰিব নোৱাৰো; যেনেকৈ শুনো, তেনেকৈয়ে বিচাৰ কৰোঁ
আৰু মোৰ বিচাৰ ন্যায়; কিয়নো মই মোৰ নিজৰ ইচ্ছা বিচৰা নাই,
কিন্তু যি জনে মোক পঠাইছে, তেওঁৰ ইচ্ছাহে বিচাৰো। ৩১ মই যদি
কেৱল নিজৰ বিষয়ে নিজে সাক্ষ্য দিওঁ, তেনেহলে মোৰ সেই সাক্ষ্য
সত্য নহয়। ৩২ আন এজন আছে, যি জনে মোৰ বিষয়ে সাক্ষ্য দিয়ে
আৰু মই জানো যে তেওঁ মোৰ বিষয়ে যি সাক্ষ্য দিয়ে, সেই সাক্ষ্য
সত্য। ৩৩ আপোনালোকে যোহনৰ ওচৰলৈ লোক পঠাইছিল আৰু
যোহনে সত্যৰ পক্ষে সাক্ষ্য দিছিল। ৩৪ অৱশ্যে মোৰ মানুহৰ পৰা
পোৱা সাক্ষ্যৰ প্ৰয়োজন নাই; তথাপি মই এইবোৰ কথা কৈছোঁ, যাতে
আপোনালোকে পৰিত্ৰাণ পাব পাৰে। ৩৫ সেই যোহন আছিল এটি
প্ৰদীপ স্বৰূপ, তেওঁ নিজে জ্বলি পোহৰ বিলাই আছিল। আপোনালোকে
অলপ কালৰ বাবে তেওঁৰ পোহৰত আনন্দ উপভোগ কৰিবলৈ ইচ্ছুক
হৈছিল। ৩৬ কিন্তু মোৰ যি সাক্ষ্য আছে, সেয়া যোহনৰ সাক্ষ্যতকৈয়ো

মহত্বপূৰ্ণ; কাৰণ পিতৃয়ে মোক যি কামবোৰ সম্পূৰ্ণ কৰিবলৈ দিছে,
মই সেইবোৰ কামেই কৰিছোঁ আৰু সেইবোৰে মোৰ বিষয়ে সাক্ষ্য
দিয়ে যে পিতৃয়ে মোক পঠাইছে। ৩৭ সেই পিতৃ, যি জনে মোক
পঠালে, তেওঁ মোৰ বিষয়ে সাক্ষ্য দিছে। আপোনালোকে তেওঁৰ
মাত কোনো কালে শুনা নাই; তেওঁৰ আকৃতিও দেখা নাই। ৩৮
তাৰ উপৰি তেওঁৰ বাক্যও আপোনালোকৰ অন্তৰত নাই; কিয়নো যি
জনক তেওঁ পঠালে, আপোনালোকে সেই জনক বিশ্বাস নকৰে। ৩৯
আপোনালোকে সকলো ধৰ্মশাস্ত্ৰ অতি মনোযোগ সহকাৰে পঢ়ে, কাৰণ
আপোনালোকে ভাৱে সেইবোৰৰ মাজেদিয়ে আপোনালোকে অনন্ত
জীৱন পাব। সেই শাস্ত্ৰবোৰে মোৰ বিষয়েই সাক্ষ্য দিছে; **(aiōnios g166)**
৪০ তথাপি আপোনালোকে জীৱন লাভ কৰিবলৈ, মোৰ ওচৰলৈ আহিব
নিবিচাৰে। ৪১ মই মানুহৰ প্ৰশংসাপাবলৈ চেষ্টা নকৰোঁ; ৪২ কিন্তু মই
আপোনালোকক জানো যে, আপোনালোকৰ অন্তৰত ঈশ্বৰৰ প্ৰতি
প্ৰেম নাই। ৪৩ মই মোৰ পিতৃৰ নামেৰে আহিছোঁ আৰু আপোনালোকে
মোক গ্ৰহণ নকৰে; কিন্তু আন কোনো যদি নিজৰ নামেৰে আহে,
আপোনালোকে তেওঁক গ্ৰহণ কৰিব। ৪৪ আপোনালোকে এজনে আন
জনৰ পৰা প্ৰশংসাগ্ৰহন কৰিবলৈ আশা কৰে, কিন্তু যি প্ৰশংসা একমাত্ৰ
ঈশ্বৰৰ পৰা পোৱা যায়, তালৈ আশা নকৰে। সেয়ে আপোনালোকে
কেনেকৈ বিশ্বাস কৰিব পাৰিব? ৪৫ নাভাবিব যে পিতৃৰ আগত মই
আপোনালোকক দোষী কৰিম; অাপোনালোকক দোষী কৰোঁতা
আন এজন আছে। যি মোচিৰ ওপৰত আপোনালোকে আশা কৰিছে,
তেৰেঁই আপোনালোকক দোষী কৰিছে। ৪৬ আপোনালোকে যদি
মোচিক বিশ্বাস কৰে, তেনেহলে মোকো বিশ্বাস কৰিলেহেঁতেন;
কিয়নো মোচিয়ে মোৰেই বিষয়ে লিখিছে। ৪৭ কিন্তু তেওঁৰ লিখনি যদি
আপোনালোকে বিশ্বাস নকৰে, তেনেহলে কেনেকৈ মোৰ কথা বিশ্বাস
কৰিব?”

**৬** ইয়াৰ পাছত যীচু গালীল সাগৰৰ সিপাৰলৈ গ’ল। এই সাগৰক
তিবিৰিয়া সাগৰো কোৱা হয়। ২ তেতিয়া বহু মানুহৰ এটা দল যীচুৰ
পাছে পাছে গ’ল, কাৰণ যীচুৱে ৰোগী সকললৈ যি যি কৰিছিল, সেই

সকলো আচৰিত কাৰ্যৰ চিনবোৰ তেওঁলোকে দেখা পাইছিল। ৩ পাছত
যীচু আৰু তেওঁৰ শিষ্য সকল পাহাৰৰ ওপৰলৈ উঠি গৈ বহিল। ৪ সেই
সময়ত ইহুদী সকলৰ নিস্তাৰ-পৰ্বৰ দিন ওচৰ চাপি আহিছিল। ৫ যীচুৱে
ওপৰৰ ফালে চাই দেখিলে যে এক বৃহৎ মানুহৰ দল তেওঁৰ ওচৰলৈ
আহি আছে। তেতিয়া তেওঁ ফিলিপক সুধিলে, “এওঁলোকক খোৱাবৰ
কাৰণে আমি ক’ৰ পৰা পিঠা কিনিবলৈ পাম?” ৬ ফিলিপক পৰীক্ষা
কৰিবলৈকে যীচুৱে এই কথা ক’লে, কাৰণ যীচুৱে কি কৰিব তাক তেওঁ
নিজে জানিছিল। ৭ ফিলিপে উত্তৰ দিলে, “এওঁলোক প্ৰত্যেকে যদি
অলপকৈয়ো পায়, তথাপি দুশ আধলিৰ পিঠা কিনিলেও যথেষ্ট নহ’ব।”
৮ যীচুৰ শিষ্য সকলৰ মাজত এজনৰ নাম আছিল আন্দ্ৰিয়। তেওঁ
চিমোন পিতৰৰ ভায়েক। তেওঁ যীচুক ক’লে, ৯ “ইয়াত এজন সৰু
ল’ৰা আছে আৰু তেওঁৰ ওচৰত পাঁচোটা যৱৰ পিঠা আৰু দুটা সৰু মাছ
আছে; কিন্তু ইমান মানুহৰ মাজত তাৰে কি হ’ব?” ১০ যীচুৱে ক’লে,
“লোক সকলক বহিবলৈ দিয়া।” সেই ঠাইতে ভালেমান বন আছিল।
তেতিয়া সকলো লোক তাৰ ওপৰতে বহিল। তাত পুৰুষৰ সংখ্যাই প্ৰায়
পাঁচ হাজাৰ আছিল। ১১ তাৰ পাছত যীচুৱে সেই পিঠাকেইখন লৈ
ঈশ্বৰক ধন্যবাদ দি বহি থকা সকলৰ মাজত ভগাই দিলে। তেনেদৰে
তেওঁ পাছত মাছো ভগাই দিলে। যেয়ে যিমান বিচাৰিলে সিমানকৈ
পালে। ১২ তেনেকৈ তেওঁলোক পৰিতৃপ্ত হোৱাৰ পাছত যীচুৱে শিষ্য
সকলক ক’লে, “যি টুকুৰাবোৰ বাকী থাকিল, তাৰ একোৱেই যেন
নষ্ট নহয়; সেইবোৰ একেলগে গোটাই লোৱা।” ১৩ তেতিয়া শিষ্য
সকলে সেইবোৰ গোটালে আৰু লোক সকলে খোৱাৰ পাছত সেই
পাঁচোটা যৱৰ পিঠাৰ যি টুকুৰাবোৰ বাকী থাকিল, সেইবোৰ গোটাই
তেওঁলোকে বাৰটা পাচি পূৰ কৰিলে। ১৪ যীচুৰ এই আচৰিত কাৰ্য
দেখি লোক সকলে কবলৈ ধৰিলে, “জগতলৈ যি জন ভাৱবাদী অহাৰ
কথা আছে, এওঁ নিশ্চয়ে সেই ভাৱবাদী।” ১৫ যেতিয়া যীচুৱে বুজিলে
যে লোক সকলে তেওঁক জোৰ কৰি তেওঁলোকৰ ৰজা পাতিবৰ কাৰণে
ধৰি নিবলৈ উদ্যত হৈছে; তেতিয়া তেওঁ আতৰি অকলে সেই পাহাৰলৈ
পুণৰ উঠি গ’ল। ১৬ যেতিয়া সন্ধিয়া নামি আহিল, যীচুৰ শিষ্য সকল

সাগৰৰ তীৰলৈ নামি গ'ল। ১৭ তেওঁলোকে গৈ এখন নাৱত উঠিল আৰু
কফৰনাহূম নগৰৰ ফালে সাগৰ পাৰ হৈ যাবলৈ ধৰিলে। ইতিমধ্যে
আন্ধাৰ হৈ গৈছিল, কিন্তু যীচু তেতিয়াও তেওঁলোকৰ ওচৰ আহি
নাপালে। ১৮ বৰ জোৰেৰে বতাহ বলাত সাগৰত ঢৌ উঠিছিল। ১৯
শিষ্য সকলে নাও বাই প্ৰায় পাঁচ ছয় কিলোমিটাৰমান যোৱাৰ পাছত
দেখিলে, যীচু সাগৰৰ ওপৰেদি খোজকাঢ়ি নাৱঁৰ ওচৰলৈ আহি আছে।
তাকে দেখি তেওঁলোকে অতিশয় ভয় খালে। ২০ তেতিয়া যীচুৱে
তেওঁলোকক ক'লে, "এয়া মইহে! ভয় নকৰিবা।" ২১ শিষ্য সকলে
যীচুক নাৱত তুলি লবলৈ বিচাৰিলে আৰু তেওঁলোক যি ঠাইলৈ গৈ
আছিল, নাও খন তেতিয়াই সেই ঠাই পালেগৈ। ২২ পিছদিনা খনৰ
কথা। যি সকল লোক সাগৰৰ আন পাৰত থিয় হৈ আছিল, তেওঁলোকে
দেখিছিল যে কেৱল মাত্ৰ এখন নাৱৰ বাহিৰে সেই ঠাইত আন এখনো
নাও নাছিল আৰু যীচু তেওঁৰ শিষ্য সকলৰ সৈতে তাত নুঠিল, অকল
শিষ্য সকলহে আতৰি গৈছিল। ২৩ কিন্তু, প্ৰভুৱে ধন্যবাদ দিয়াৰ পাছত
লোক সকলে যি ঠাইত পিঠা খাইছিল, সেই ঠাইৰ ওচৰতে তিবিৰিয়াৰ
পৰা অহা কিছুমান নাও আছিল। ২৪ সেয়ে, লোক সকলে যেতিয়া
জানিলে যে যীচু আৰু তেওঁৰ শিষ্য সকল সেই ঠাইত নাই, তেতিয়া
তেওঁলোকে সেই নাওবোৰত উঠি যীচুক বিচাৰি কফৰনাহূমলৈ গ'ল।
২৫ সাগৰৰ সিটো পাৰত তেওঁলোকে যীচুক দেখা পাই ক'লে, "ৰব্বি,
আপুনি ইয়ালৈ কেতিয়া আহিল?" ২৬ যীচুৱে তেওঁলোকক উত্তৰ দি
ক'লে, "মই আপোনালোকক অতি সত্যৰূপে কওঁ, আপোনালোকে
আচৰিত চিন দেখিছে কাৰণে নহয়, বৰং পিঠা খাই তৃপ্ত হোৱাৰ
কাৰণেহে মোক বিচাৰিছে। ২৭ ক্ষয়ণীয় আহাৰৰকাৰণে শ্ৰম কৰিবলৈ
এৰক; কিন্তু অনন্ত জীৱনলৈকে যি আহাৰ থাকে তাৰ কাৰণে শ্ৰম
কৰক। সেই আহাৰ মানুহৰ পুত্ৰই আপোনালোকক দিব; কিয়নো পিতৃ
ঈশ্বৰে তেওঁৰ ওপৰত নিজৰ মোহৰমাৰিলে।" **(aiōnios g166)** ২৮ লোক
সকলে তেওঁক সুধিলে, "তেনেহলে ঈশ্বৰৰ কৰ্ম কৰিবলৈ আমি কি
কৰিব লাগে?" ২৯ যীচুৱে উত্তৰ দিলে, "ঈশ্বৰে যি জনক পঠালে,
আপোনালোকে তেওঁত বিশ্বাস কৰাই হৈছে ঈশ্বৰৰ মনোনীত কৰ্ম।"

৩০ তেতিয়া তেওঁলোকে তেওঁক সুধিলে, “আমি দেখি বিশ্বাস কৰিবলৈ
আপুনি কি এনে কাৰ্য কৰি আচৰিত চিন দেখুৱাব? আপুনি কি কৰ্ম
কৰিব? ৩১ আমাৰ পূৰ্বপুৰুষ সকলে মৰুপ্ৰান্তত মান্না খাইছিল; যেনেকৈ
শাস্ত্ৰত লিখা আছে, ‘তেওঁ তেওঁলোকক খাবলৈ স্বৰ্গৰ পৰা পিঠা দিলে’।”
৩২ যীচুৱে তেওঁলোকক ক’লে, “মই আপোনালোকক সঁচাকৈয়ে কওঁ,
স্বৰ্গৰ পৰা সেই পিঠা মোচিয়ে আপোনালোকক দিয়া নাছিল, কিন্তু মোৰ
পিতৃয়েহে আপোনালোকক স্বৰ্গৰ পৰা প্ৰকৃত পিঠা দিয়ে ৩৩ কিয়নো
স্বৰ্গৰ পৰা নামি আহি যিহে জগতক জীৱন দান কৰে, সেয়ে ঈশ্বৰে
দিয়া পিঠা।” ৩৪ লোক সকলে ক’লে, “তেনেহলে প্ৰভু, সেই পিঠা
আমাক সকলো সময়তে দিয়ক।” ৩৫ যীচুৱে তেওঁ তেওঁলোকক ক’লে,
“জীৱন দিওঁতা আহাৰময়েই; যি জন মোৰ ওচৰলৈ আহে, তেওঁৰ
কেতিয়াও ভোক নালাগিব; আৰু যি জনে মোত বিশ্বাস কৰে, তেওঁৰ
কেতিয়াও পিয়াহ নালাগিব। ৩৬ মই আপোনালোকক কৈছোঁ যে,
আপোনালোকে মোক দেখিছে, কিন্তু আপোনালোকে বিশ্বাস নকৰে।
৩৭ পিতৃয়ে মোক যি সকলক দিছে, তেওঁলোক সকলোৱেই মোৰ
ওচৰলৈ আহিব; আৰু মোৰ ওচৰলৈ অহা জনক মই কেতিয়াও বাহিৰ
কৰি নিদিম। ৩৮ কিয়নো মই মোৰ নিজৰ ইচ্ছা পূৰ কৰিবলৈ স্বৰ্গৰ
পৰা নামি অহা নাই, কিন্তু মোক পঠোৱা জনৰ ইচ্ছা পূৰ কৰিবলৈহে
নামি আহিছোঁ। ৩৯ মোক পঠোৱা জনৰ ইচ্ছা এই যে, তেওঁ মোক
যি সকলক দিলে, তেওঁলোকৰ এজনকো যেন মই নেহেৰুৱাও, কিন্তু
শেষৰ দিনা তেওঁলোক সকলোকে যেন মই উঠাও। ৪০ মোৰ পিতৃৰ
ইচ্ছা এই- যি কোনোৱে পুত্ৰক দেখি তেওঁত বিশ্বাস কৰে, তেওঁ যেন
অনন্ত জীৱন পায়; আৰু শেষৰ দিনা মই তেওঁক তুলিম।” **(aiōnios
g166)** ৪১ পাছত ইহুদী নেতা সকলে যীচুৰ বিষয়ে ভোৰভোৰনি আৰম্ভ
কৰিলে; যিহেতু তেওঁ কৈছিল, “স্বৰ্গৰ পৰা নমা আহাৰ ময়েই;” ৪২
সেই নেতা সকলে কৈছিল, “এওঁ যোচেফৰ পুতেক যীচু, যাৰ বাপেক-
মাকক আমি জানো, সেই জনেই নহয় নে? তেনেহলে ‘মই স্বৰ্গৰ পৰা
নামি আহিছোঁ’ এই কথা এতিয়া তেওঁ কেনেকৈ কৈছে?” ৪৩ যীচুৱে
তেওঁলোকক উত্তৰ দি ক’লে, “আপোনালোকে নিজৰ মাজত সেই

ভোৰভোৰনি বন্ধ কৰক। ৪৪ যি জনে মোক পঠাইছে, সেই পিতৃয়ে
চপাই নললে, কোনেও মোৰ ওচৰলৈ আহিব নোৱাৰে; আৰু মই শেষৰ
দিনা তেওঁক তুলিম। ৪৫ ভাববাদী সকলৰ পুস্তকত এই বুলি লিখা
আছে, ‘তেওঁলোক সকলোৱে ঈশ্বৰৰ পৰা শিক্ষা লাভ কৰিব।’যি জনে
পিতৃৰ পৰা শুনি শিক্ষা পাইছে, তেৱেঁই মোৰ ওচৰলৈ আহে। ৪৬
কোনোৱে যে পিতৃক দেখিলে, এনে নহয়, কেৱল যি জন ঈশ্বৰৰ পৰা
হয়, তেৱেঁই পিতৃক দেখিলে। ৪৭ মই সঁচাকৈয়ে কৈছোঁ, যি জনে বিশ্বাস
কৰে, সেই জনৰ অনন্ত জীৱন আছে। (aiōnios g166) ৪৮ জীৱন দিওঁতা
আহাৰ (পিঠা) ময়েই। ৪৯ আপোনালোকৰ পিতৃপুৰুষ সকলে মৰুপ্ৰান্তত
মান্না খাইছিল আৰু তেওঁলোক মৰিল৷ ৫০ স্বৰ্গৰ পৰা নামি অহা আহাৰ
এয়ে; যি মানুহে ইয়াক খায়, তেওঁ পুনৰ নমৰে। ৫১ স্বৰ্গৰ পৰা নমা
জীৱনময় আহাৰ ময়েই। যদি কোনোৱে এই আহাৰ খায়, তেনেহলে
তেওঁ চিৰকাল জীৱ; আৰু জগতৰ জীৱনৰ কাৰণে মই যি আহাৰ দিম,
সেয়ে মোৰ মাংস।” (aiōn g165) ৫২ এই কথাত ইহুদী সকল খঙত
জ্বলি উঠি পৰস্পৰে বাকযুদ্ধত লিপ্ত হৈ ক’লে, “কেনেকৈ এই মানুহ
জনে তেওঁৰ দেহৰ মাংস আমাক খাবলৈ দিব পাৰে?” ৫৩ যীচুৱে
তেওঁলোকক ক’লে, “সঁচাকৈয়ে মই আপোনালোকক কওঁ, মানুহৰ
পুত্ৰৰ মাংস নাখালে আৰু তেওঁৰ তেজ পান নকৰিলে, আপোনালোকৰ
ভিতৰত জীৱন নাই। ৫৪ যি কোনোৱে মোৰ মাংস খায়, আৰু মোৰ
তেজ পান কৰে, তেওঁৰ অনন্ত জীৱন আছে; আৰু শেষৰ দিনা মই
তেওঁক তুলিম। (aiōnios g166) ৫৫ কিয়নো মোৰ মাংসই প্ৰকৃত ভক্ষ্য
আৰু মোৰ তেজেই প্ৰকৃত পানীয়। ৫৬ যি জনে মোৰ মাংস খায় আৰু
মোৰ তেজ পান কৰে, সেই জন মোত থাকে, ময়ো তেওঁত থাকোঁ।
৫৭ যেনেকৈ জীৱিত পিতৃয়ে মোক পঠালে আৰু পিতৃৰ কাৰণে মই
জীৱিত আছোঁ, তেনেকৈ যি কোনোৱে মোক ভোজন কৰে, তেৱোঁ
মোৰ দ্বাৰাই জীয়াই থাকিব। ৫৮ স্বৰ্গৰ পৰা নমা আহাৰ এয়েই।
পিতৃপুৰুষ সকলে যেনেকৈ খায়ো মৰিল, তাৰ নিচিনা নহয়; যি জনে
এই আহাৰ খায়, সেই জন চিৰকাল জীৱ।” (aiōn g165) ৫৯ এই সকলো
কথা যীচুৱে কফৰনাহূমত উপদেশ দিয়াৰ সময়ত নাম-ঘৰত ক’লে।

৬০ যীচুৰ শিষ্য সকলৰ মাজৰ অনেকে এই কথা শুনি ক'লে, "ই বৰ
কঠিন শিক্ষা; কোনে ইয়াক গ্ৰহণ কৰিব পাৰে?" ৬১ যীচুৱে নিজৰ
মনতে জানিব পাৰিছিল যে তেওঁৰ শিষ্য সকলে এই বিষয়ত বু বু
বা বা কৰি আছে; সেয়ে তেওঁ শিষ্য সকলক সুধিলে, "এই কথাত
তোমালোকে মনত বিঘিনি পাইছা নেকি? ৬২ মানুহৰ পুত্ৰক যেতিয়া
উৰ্দ্ধত তেওঁৰ আগৰ থকা ঠাইলৈ উঠা দেখিবা, তেতিয়া তোমালোকে
কি ভাবিবা? ৬৩ আত্মাইহে জীৱন দিয়ে। মাংস একো উপকাৰত
নাহে; মই তোমালোকক যিবোৰ কথা কৈছোঁ, সেই কথাই আত্মা
আৰু জীৱন। ৬৪ কিন্তু তোমালোকৰ মাজত এনে কিছুমান আছে, যি
সকলে বিশ্বাস নকৰে।" কিয়নো যীচুৱে আদিৰে পৰা জানিছিল, কোনে
কোনে বিশ্বাস নকৰে আৰু কোনে তেওঁক শত্ৰুৰ হাতত শোধাই দিব।
৬৫ তেওঁ পুনৰ ক'লে, "এই কাৰণে মই তোমালোকক কৈছিলোঁ যে,
পিতৃয়ে ইচ্ছা নকৰিলে কোনেও মোৰ ওচৰলৈ আহিব নোৱাৰে।" ৬৬
ইয়াৰ পাছতে তেওঁৰ শিষ্য সকলৰ মাজৰ অনেক উলটি গ'ল; তেওঁৰ
লগত পুনৰ অহা-যোৱা নকৰিলে। ৬৭ যীচুৱে তেতিয়া সেই বাৰ জন
পাঁচনিক ক'লে, "তোমালোকেও যাবলৈ ইচ্ছা কৰা নে?" ৬৮ চিমোন
পিতৰে তেওঁক উত্তৰ দিলে, "প্ৰভু, আমি কাৰ ওচৰলৈ যাম? অনন্ত
জীৱনৰ কথা আপোনাৰ ওচৰতহে আছে। **(aiōnios g166)** ৬৯ আমি
বিশ্বাস কৰিছোঁ আৰু জানিছোঁ যে আপুনিয়েই ঈশ্বৰৰ পবিত্ৰ জন।" ৭০
যীচুৱে তেওঁলোকক ক'লে, "মই তোমালোক বাৰ জনক মনোনীত
কৰা নাই নে? কিন্তু তোমালোকৰ মাজতো এজন দিয়াবলআছে।" ৭১
ইয়াত ঈষ্কৰিয়োতীয়া চিমোনৰ পুত্ৰ যিহূদাৰ বিষয়ে কৈছিল; কিয়নো
যদিও তেওঁ বাৰ জনৰ মাজৰ এজন আছিল, তথাপি তেৱেঁ পাছত
যীচুক শত্ৰুৰ হাতত শোধাই দিছিল।

**৭** তাৰ পাছত যীচুৱে গালীল প্ৰদেশৰ ভিন ভিন ঠাইত ঘূৰি ফুৰিলে।
ইহুদী সকলে তেওঁক বধ কৰিবলৈ সুযোগ বিচাৰি থকা বাবে যীচুৱে
যিহুদীয়া প্ৰদেশলৈ যাবলৈ ইচ্ছা নকৰিলে। ২ তেতিয়া ইহুদী সকলৰ
পঁজা-পৰ্বৰ সময় প্ৰায় ওচৰ চাপিছিল। ৩ সেই কাৰণতে যীচুৰ
ভায়েকহঁতে তেওঁক ক'লে, "তুমি যি যি কাম কৰিছা, সেইবোৰ তোমাৰ

শিষ্য সকলে দেখা পাবৰ বাবে তুমিও এই ঠাই এৰি যিহুদীয়ালৈ
যোৱা৷ ৪ যদি কোনোবাই নিজে জনাজাত হ'ব বিচাৰে, তেনেহলে তেওঁ
গোপনে একো নকৰে। তুমি যেতিয়া এইবোৰ কামকে কৰা, তেনেহলে
জগতৰ সন্মুখত নিজকে দেখুউৰা।" ৫ কিয়নো তেওঁৰ ভায়েক সকলে
তেওঁত বিশ্বাস কৰা নাছিল। ৬ সেয়ে যীচুৱে তেওঁলোকক ক'লে,
"মোৰ নিৰূপিত সময় এতিয়াও অহা নাই, কিন্তু তোমালোকৰ সময়
সদায় আছে। ৭ জগতে তোমালোকক ঘৃণা কৰিব নোৱাৰে; মোকহে
ঘৃণা কৰে; কিয়নো মই জগতৰ বিষয়ে এই সাক্ষ্য দিওঁ যে, জগতৰ
সকলো কাম মন্দ। ৮ তোমালোকে পৰ্বলৈ যোৱা; মোৰ সময় এতিয়াও
পূৰ্ণ হোৱা নাই, সেয়ে মই এতিয়া পৰ্বলৈ নাযাওঁ।" ৯ তেওঁলোকক
এইবোৰ কথা কোৱাৰ পাছত যীচু গালীল প্ৰদেশতে থাকি গ'ল। ১০
তেওঁৰ ভায়েক সকল পৰ্বলৈ গ'ল আৰু পাছত তেৰোঁ তালৈ গ'ল।
কিন্তু তেওঁ মুকলিকৈ যোৱা নাছিল, গোপনে গ'ল। ১১ পৰ্বৰ সময়ত
ইহুদী সকলে যীচুক বিচাৰি সোধা-সুধি কৰিলে, "সেই মানুহ জন ক'ত
আছে?" ১২ লোক সকলৰ মাজত যীচুৰ বিষয়ে নানা ধৰণৰ আলোচনা
হবলৈ ধৰিলে। কোনো কোনোৱে ক'লে, "তেওঁ এজন ভাল মানুহ।"
আন কিছুমানে আকৌ ক'লে, "নহয়, নহয়, তেওঁ লোক সকলক ভুল
পথত লৈ গৈছে।" ১৩ কিন্তু ইহুদী সকলৰ ভয়ত তেওঁৰ বিষয়ে কোনেও
মুকলিকৈ একো কথা নক'লে। ১৪ যেতিয়া পৰ্বৰ আধা সময় পাৰ হ'ল,
তেতিয়া যীচুৱে মন্দিৰলৈ গৈ উপদেশ দিবলৈ আৰম্ভ কৰিলে। ১৫
তাতে ইহুদী সকলে অতিশয় আচৰিত হৈ ক'লে, "এই লোক জনে
কেতিয়াও কোনো শিক্ষা নোলোৱাকৈ ইমানবোৰ ধৰ্ম কথা কেনেকৈ
জানিলে?" ১৬ যীচুৱে তেওঁলোকক উত্তৰ দি ক'লে, "এই উপদেশ
মোৰ নিজৰ নহয়, মোক পঠোৱা জনৰহে।" ১৭ যদি কোনোৱে তেওঁৰ
ইচ্ছা পালন কৰিবলৈ বিচাৰে, তেনেহলে তেওঁ জানিব যে এই শিক্ষা
ঈশ্বৰৰ পৰা আহিছে নে মই নিজৰ পৰা কৈছোঁ। ১৮ যি জনে নিজৰ
পৰা কথা কয়, তেওঁ নিজৰ মৰ্যদা বিচাৰে; কিন্তু কোনো জনে যদি
পঠোৱা জনৰ গৌৰৱ বিচাৰে, তেনেহলে তেওঁ সত্য, আৰু তেওঁৰ
ভিতৰত একো অসাধুতা নাই। ১৯ মোচিয়ে জানো আপোনালোকক

বিধান দিয়া নাই? কিন্তু আপোনালোকৰ কোনেও যে সেই বিধান
পালন নকৰে। আপোনালোকে মোক কিয় বধ কৰিবলৈ বিচাৰিছে? ২০
লোক সকলে উত্তৰ দিলে, “তোমাক ভূতে পাইছে; তোমাক কোনে বধ
কৰিবলৈ বিচাৰিছে?” ২১ যীচুৱে উত্তৰত তেওঁলোকক ক’লে, “মই এটা
কাম কৰিলোঁ, তাতে আপোনালোক সকলোৱে বিস্ময় মানিছে। ২২
মোচিয়ে আপোনালোকক চুন্নৎ কৰাৰ ৰীতি দিলে আৰু আপোনালোকে
বিশ্ৰামবাৰেও শিশু সকলৰ চুন্নৎ কৰে। (মূলত: এই বিধান মোচিৰ পৰা
নহয়, কিন্তু পিতৃপুৰুষ সকলৰ পৰাহে আহিছে); ২৩ মোচিৰ বিধান
যেন উলঙ্ঘন কৰা নহয়, এই যুক্তিতে যদি বিশ্ৰাম বাৰেও মানুহৰ চুন্নৎ
কৰা হয়, তেনেহলে মই বিশ্ৰামবাৰে এজন মানুহক সম্পূৰ্ণভাৱে সুস্থ
কৰিলোঁ কাৰণে আপোনালোকৰ মোৰ ওপৰত কিয় খং উঠিছে? ২৪
উপৰুৱাকৈ চাই বিচাৰ নকৰিব, বৰং ন্যায়-বিচাৰ কৰক।” ২৫ তেতিয়া
যিৰূচালেমৰ কেইজনমান লোকে ক’লে, “যি জনক তেওঁলোকে বধ
কৰিবলৈ বিচাৰিছে, এৰেঁই জানো সেই জন নহয়? ২৬ কিন্তু চোৱা,
এওঁতো মুকলিকৈ কথা কৈ আছে, তথাপি তেওঁলোকে এওঁক একো
কোৱা নাই। তেনেহলে, এনে হব পাৰে নেকি, শাসনকৰ্তা সকলে
সঁচাই জানিব পাৰিছে যে এই লোক জনেই খ্ৰীষ্ট? ২৭ এওঁ ক’ৰ পৰা
আহিছে, তাক আমি জানো; কিন্তু খ্ৰীষ্ট আহিলে, কোনেও নাজানিব,
তেওঁ ক’ৰ পৰা আহিছে।” ২৮ তেতিয়া যীচুৱে মন্দিৰত শিক্ষা দিলে
আৰু উচ্চস্বৰে ক’লে, “আপোনালোকে মোক জানে আৰু মই ক’ৰ
পৰা আহিছোঁ, সেই বিষয়েও জানে৷ মই নিজ ইচ্ছাৰে অহা নাই,
কিন্তু যি জনে মোক পঠালে, তেওঁ সত্য; তেওঁক আপোনালোকে
নাজানে। ২৯ মই হ’লে তেওঁক জানো; কিয়নো মই তেওঁৰ পৰা
আহিছোঁ আৰু তেৰেঁই মোক পঠিয়ালে।” ৩০ তাতে সেই লোক সকলে
তেওঁক ধৰিবলৈ উপায় বিচাৰিলে; তথাপি কোনেও তেওঁৰ গাত হাত
নিদিলে; কিয়নো তেতিয়া তেওঁৰ সময় হোৱা নাছিল। ৩১ কিন্তু লোক
সকলৰ অনেকে তেওঁত বিশ্বাস কৰিলে। তেওঁলোকে ক’লে, “এই
লোক জনে অনেক আচৰিত কাম কৰিছে। কিন্তু খ্ৰীষ্ট যেতিয়া আহিব,
তেতিয়া তেওঁ এওঁতকৈ অধিক আচৰিত চিনৰ কাৰ্য কৰিব নেকি?”

৩২ লোক সকলে যে যীচুৰ বিষয়ে এনেবোৰ কথা কোৱা-কুই কৰি
আছে, সেই বিষয়ে ফৰীচী সকলে শুনিবলৈ পালে। তেতিয়া প্ৰধান
পুৰোহিত আৰু ফৰীচী সকলে তেওঁক বন্দী কৰিবলৈ বিষয়া সকলক
পঠিয়াই দিলে। ৩৩ যীচুৱে ক'লে, "মই অলপ কালহে আপোনালোকৰ
লগত আছোঁ। তাৰ পাছত যি জনে মোক পঠিয়াইছে, মই তেওঁৰ
ওচৰলৈ যাম। ৩৪ আপোনালোকে মোক বিচাৰিব, কিন্তু নাপাব; আৰু
মই যি ঠাইলৈ যাম, আপোনালোক তালৈ যাব নোৱাৰিব।" ৩৫ ইহুদী
সকলে তেতিয়া পৰস্পৰে কথা পাতিলে, "আমি যে তেওঁক বিচাৰি
নাপাম, এনেকৈ তেওঁনো ক'লৈ যাব? গ্ৰীক সকলৰ মাজত যি সকল
ইহুদী বাস কৰিছে, তালৈ গৈ তেওঁলোকক শিক্ষা দিব নেকি? ৩৬
তেওঁ যে কৈছে, 'মোক বিচাৰিবা, কিন্তু নাপাবা, আৰু মই যি ঠাইত
থাকিম, তালৈ যাব নোৱাৰিবা', এইটোনো কি কথা?" ৩৭ পৰ্বৰ শেষৰ
দিন - যি দিনটো পৰ্বৰ প্ৰধান দিন, সেইদিনা যীচুৱে অশ্ৰু টুকি থিয়
হল, আৰু উচ্চস্বৰে ক'লে, "কোনো মানুহৰ যদি পিয়াহ লাগে, তেওঁ
মোৰ ওচৰলৈ আহি পান কৰক। ৩৮ যি কোনোৱে মোত বিশ্বাস কৰে,
ধৰ্মশাস্ত্ৰত কোৱাৰ দৰে, তেওঁৰ ভিতৰৰ পৰা জীৱনময় জলৰ নৈবোৰ
ওলাই বৈ যাব।" ৩৯ যীচুক বিশ্বাস কৰা সকলে যে আত্মা পাব, সেই
বিষয়ে তেওঁ এই কথা ক'লে। কিয়নো তেতিয়ালৈকে আত্মা দিয়া
হোৱা নাছিল, কাৰণ তেতিয়ালৈকে যীচু মহিমান্বিত হোৱা নাছিল।
৪০ এই সকলো কথা শুনি, লোক সকলৰ কোনো কোনোৱে ক'লে,
"এওঁ সঁচাই সেই ভাববাদী।" আন কিছুমানে ক'লে, "এওঁ খ্ৰীষ্ট।" ৪১
কিন্তু কিছুমানে ক'লে, "কি? খ্ৰীষ্ট জানো গালীল প্ৰদেশৰ পৰা ওলাব?
৪২ ধৰ্মশাস্ত্ৰত কোৱা নাই জানো, খ্ৰীষ্ট যে দায়ুদৰ বংশৰ পৰা হব
আৰু দায়ুদ যি বৈৎলেহম নগৰত আছিল, তেওঁ তাৰ পৰাই আহিব?"
৪৩ এইদৰে যীচুৰ বিষয়ক লৈ লোক সকলৰ মাজত মতভেদ সৃষ্টি
হ'ল। ৪৪ তেওঁলোকৰ কোনো কোনোৱে তেওঁক ধৰিবলৈ বিচাৰিলে,
তথাপি কোনেও তেওঁৰ গাত হাত নিদিলে। ৪৫ তেতিয়া যি বিষয়া
সকলক পঠোৱা হৈছিল, তেওঁলোক প্ৰধান পুৰোহিত আৰু ফৰীচী
সকলৰ ওচৰলৈ ঘূৰি আহিল। তেওঁলোকে সিহঁতক সুধিলে, "তাক কিয়

নানিলা?” ৪৬ তেতিয়া বিষয়া সকলে উত্তৰ দিলে, “সেই জনৰ দৰে
কোনো মানুহে কেতিয়াও আগেয়ে কথা কোৱা নাই।” ৪৭ তেতিয়া
ফৰীচী সকলে উত্তৰ দিলে, “তোমালোকো তেনেহলে ভোল গলা
নেকি? ৪৮ শাসনকৰ্তা বা ফৰীচী সকলৰ মাজৰ কোনোবাই জানো
তাক বিশ্বাস কৰিছে? ৪৯ কিন্তু এই লোক সকলে বিধানৰ একোকে
নাজানে, তেওঁলোক অভিশপ্ত।” ৫০ তেওঁলোকৰ মাজৰ নীকদীম, যি
জনে আগেয়ে যীচুৰ ওচৰলৈ গৈছিল, সেই জনে তেওঁলোকক ক’লে,
৫১ “প্ৰথমে কোনো মানুহৰ কথা নুশুনিলে আৰু তেওঁৰ কৰ্ম নাজানিলে,
আমাৰ বিধানে জানো তেওঁক দোষী কৰে?” ৫২ তাতে তেওঁলোকে
তেওঁক উত্তৰ দিলে, “তুমিও গালীল প্ৰদেশৰ মানুহ নেকি? বিচাৰি
চোৱা, দেখিবা যে গালীল প্ৰদেশৰ পৰা কোনো ভাৱবাদীৰ আবিৰ্ভাৱ
হোৱা নাই।” ৫৩ তাৰ পাছত ইহুদী সকল নিজৰ নিজৰ ঘৰলৈ গুছি
গ’ল।

৮ যীচু জৈতুন পৰ্বতলৈ গ’ল। ২ অতি ৰাতিপুৱাতে তেওঁ পুণৰ
মন্দিৰলৈ আহিল; তেতিয়া সকলো মানুহ তেওঁৰ ওচৰলৈ অহাত
তেওঁ বহি তেওঁলোকক উপদেশ দিবলৈ ধৰিলে। ৩ তেনেতে বিধানৰ
অধ্যাপক আৰু ফৰীচী সকলে ব্যভিচাৰ কৰ্মত ধৰা এগৰাকী মহিলাক
আনি তেওঁলোকৰ মাজত থলে। ৪ তেওঁলোকে যীচুক সুধিলে, “হে গুৰু,
এই মহিলা গৰাকী ব্যভিচাৰ কৰ্ম কৰোঁতেই ধৰা পৰিল। ৫ এতিয়া,
মোচিৰ বিধানত আমাক আজ্ঞা দিছে যে, এনে মহিলাক শিল দলিয়াই
মাৰিব লাগে। এনে স্থলত আপুনি তাইৰ বিষয়ে কি কয়?” ৬ এই
কথা তেওঁলোকে যীচুক পৰীক্ষা কৰিবলৈ ক’লে, যাতে তেওঁৰ নামত
দোষাৰোপ কৰিবলৈ কিবা সূত্ৰ পাব পাৰে। কিন্তু যীচুৱে তললৈ মুৰ
কৰি আঙুলিৰে মাটিত লিখিবলৈ ধৰিলে। ৭ কিন্তু তেওঁলোকে যেতিয়া
বাৰে বাৰে তেওঁক সুধিবলৈ ধৰিলে, তেওঁ মূৰ দাঙি তেওঁলোকক ক’লে,
“আপোনালোকৰ মাজত যি জন নিষ্পাপী, তেৱেঁই প্ৰথমে তাইলৈ
শিল দলিয়াওক।” ৮ পাছত তেওঁ পুণৰ বাৰ তললৈ মূৰ কৰি মাটিত
আঙুলিৰে লিখিব ধৰিলে। ৯ এই কথা শুনি তেওঁলোকৰ বয়সীয়া
সকলৰ পৰা আৰম্ভ কৰি শেষৰ জনলৈকে এজন এজনকৈ সকলো

বাহিৰলৈ ওলাই গ'ল৷ অৱশেষত কেৱল যীচু আৰু তেওঁলোকৰ মাজত
থিয় হৈ থকা সেই মহিলা গৰাকীহে সেই ঠাইত থাকিল। ১০ যীচুৱে উঠি
সেই মহিলা গৰাকীক সুধিলে, "হে নাৰী, তোমাক অপবাদ দিয়া সকল
ক'ত গ'ল? তোমাক কোনেও দোষী নকৰিলে নেকি?" ১১ তাই ক'লে,
"নাই, কোনেও নকৰিলে প্ৰভু।" যীচুৱে ক'লে, "ময়ো দোষী নকৰোঁ;
যোৱা, এতিয়াৰ পৰা পুনৰ পাপ নকৰিবা।" ১২ ইয়াৰ পাছত যীচুৱে
আকৌ লোক সকলৰ লগত কথা কবলৈ ধৰিলে, "মই জগতৰ পোহৰ;
যি জন মোৰ পাছে পাছে আহে, তেওঁ আন্ধাৰত নুফুৰি, জীৱনৰ পোহৰ
পাব।" ১৩ তেতিয়া ফৰীচী সকলে তেওঁক ক'লে, "তোমাৰ সাক্ষ্য সত্য
নহয়, কাৰণ তুমি নিজে নিজৰ বিষয়ে সাক্ষ্য দিছা।" ১৪ যীচুৱে উত্তৰ
দি তেওঁলোকক ক'লে, "যদিও মই নিজৰ বিষয়ে নিজে সাক্ষ্য দিছোঁ,
তথাপি মোৰ সাক্ষ্য সত্য; কিয়নো মই ক'ৰ পৰা আহিলোঁ, আৰু ক'লৈ
গৈ আছোঁ, সেই বিষয়ে মই জানো; কিন্তু আপোনালোকে মই ক'ৰ পৰা
আহিছোঁ, বা ক'লৈ যাওঁ সেই বিষয়ে নাজানে। ১৫ আপোনালোকে
মাংসিক ভাব অনুসাৰে সোধ-বিচাৰ কৰিছে; মই এনেদৰে লোকৰ
বিচাৰ নকৰোঁ। ১৬ তথাপি যদি বিচাৰ কৰোঁ, তেনেহলে মোৰ সোধ-
বিচাৰ সত্য; কিয়নো মই অকলশৰীয়া নহওঁ; মইতো আছোঁৱেই,
আৰু মোক পঠোৱা পিতৃও আছে। ১৭ আপোনালোকৰ বিধানত লিখা
আছে, দুজনৰ সাক্ষ্য যদি একে হয়, তেনেহলে ই সত্য হয়। ১৮
মই নিজৰ বিষয়ে নিজে সাক্ষ্য দিছোঁ, আৰু মোক পঠোৱা পিতৃয়েও
মোৰ বিষয়ে সাক্ষ্য দিছে।" ১৯ তেতিয়া তেওঁলোকে যীচুক সুধিলে,
"তোমাৰ পিতৃ ক'ত আছে?" যীচুৱে উত্তৰ দিলে, "আপোনালোকে
মোকো নাজানে আৰু মোৰ পিতৃকো নাজানে; মোক জনা হ'লে মোৰ
পিতৃকো জানিলেহেঁতেন।" ২০ মন্দিৰৰ ধনভঁৰালৰ কাষত থাকি
শিক্ষা দিওঁতে তেওঁ এইবোৰ কথা ক'লে; তথাপি তেতিয়াও তেওঁৰ
সময় উপস্থিত হোৱা নাই বাবে কোনেও তেওঁক বন্দী নকৰিলে। ২১
পাছত তেওঁ আকৌ ফৰীচী সকলক ক'লে, "মই যাওঁ; আপোনালোকে
মোক বিচাৰিব, কিন্তু আপোনালোক নিজ নিজ পাপতে মৰিব। মই যি
ঠাইলৈ যাওঁ, সেই ঠাইলৈ আপোনালোকে যাব নোৱাৰে।" ২২ তেতিয়া

ইহুদী সকলে ক'লে, “এওঁ কি আপোনঘাতী হ'ব নেকি? কিয়নো ‘মই
যি ঠাইলৈ যাওঁ আপোনালোকে সেই ঠাইলৈ যাব নোৱাৰে’ বুলি যে
কৈছে?” ২৩ তেওঁ তেওঁলোকক ক'লে, “আপোনালোক তলৰ পৰা
আহিছে আৰু মই ওপৰৰ পৰা আহিছোঁ; আপোনালোক এই জগতৰ;
কিন্তু মই এই জগতৰ নহওঁ। ২৪ এই কাৰণতে আপোনালোকক ক'লো
যে, ‘আপোনালোক নিজ নিজ পাপ সমূহতে মৰিব’; আপোনালোকে
যদি বিশ্বাস নকৰে যে ময়েই সেই জন, তেনেহলে আপোনালোক
নিজ নিজ পাপ সমূহত মৰিব।” ২৫ তেতিয়া তেওঁলোকে তেওঁক
সুধিলে “তুমি নো কোন?” যীচুৱে তেওঁলোকক ক'লে, “সেই বিষয়ে
প্ৰথমৰে পৰা মই আপোনালোকক কৈ আছোঁ। ২৬ আপোনালোকৰ
বিষয়ে ক'বলৈ আৰু বিচাৰ কৰিবলৈ অনেক কথা মোৰ আছে। কিন্তু
মোক যি জনে পঠিয়াইছে, তেওঁ সত্য; মই তেওঁৰ পৰা যি শুনিলোঁ,
সেই বিষয়ে জগতক কৈছোঁ।” ২৭ তেওঁ যে পিতৃৰ বিষয়ে এই কথা
ক'লে ইয়াক তেওঁলোকে বুজি নাপালে। ২৮ সেয়ে যীচুৱে ক'লে,
“আপোনালোকে যেতিয়া মানুহৰ পুত্ৰক ওপৰলৈ তুলিব, তেতিয়া
আপোনালোকে জানিব যে মইয়ে সেই জন আৰু মই নিজৰ পৰা
একো নকৰোঁ। পিতৃয়ে যেনেকৈ মোক শিকাইছে, মই সেইদৰেই
এইবোৰ কথা কৈছোঁ। ২৯ মোক যি জনে পঠালে, তেওঁ মোৰ লগত
আছে। তেওঁ মোক অকলশৰীয়াকৈ ৰখা নাই, কিয়নো মই সদায়
তেওঁৰ সন্তোষজনক কাম কৰোঁ।” ৩০ যীচুৱে যেতিয়া এইবোৰ কথা
কৈ আছিল, অনেকে তেওঁত বিশ্বাস কৰিলে। ৩১ যি ইহুদী সকলে
তেওঁক বিশ্বাস কৰিলে, যীচুৱে তেওঁলোকক ক'লে, “মোৰ বাক্যতে
যদি আপোনালোক থাকে, তেনেহলে সঁচাকৈয়ে আপোনালোক মোৰ
শিষ্য; ৩২ আৰু আপোনালোকে সত্যক জানিব আৰু সেই সত্যই
আপোনালোকক মুক্ত কৰিব।” ৩৩ তেওঁলোকে তেওঁক উত্তৰ দিলে,
“আমি অব্ৰাহামৰ বংশধৰ; আৰু কেতিয়াও কাৰো সেৱাকৰ্ম কৰা নাই;
তেনেস্থলত ‘আপোনালোকক মুক্ত কৰা হ'ব’, এনে কথা তুমি কেনেকৈ
কৈছা?” ৩৪ যীচুৱে উত্তৰ দিলে, “মই আপোনালোকক সঁচাই কওঁ, যি
কোনোৱে পাপ-আচৰণ কৰে তেওঁ পাপৰ দাস। ৩৫ দাস পৰিয়ালত

চিৰকাল নাথাকে, কিন্তু সন্তান হ'লে সদায় পৰিয়ালত থাকে। (aiōn
g165) ৩৬ এই কাৰণে পুত্ৰই যদি আপোনালোকক মুক্ত কৰে, তেনেহলে
আপোনালোক অৱশ্যেই মুক্ত হ'ব। ৩৭ আপোনালোক যে অব্ৰাহামৰ
বংশধৰ, সেই বিষয়ে মই জানো; কিন্তু আপোনালোকে মোক বধ
কৰিবলৈ উপায় বিচাৰি ফুৰিছে; কাৰণ আপোনালোকৰ অন্তৰত মোৰ
বাক্যই ঠাই নাপায়। ৩৮ মই মোৰ পিতৃৰ ওচৰত যি দেখিলোঁ, সেই
বিষয়েই কৈ থাকো আৰু আপোনালোকেও আপোনালোকৰ পিতৃৰ
পৰা যি শুনিলে, তাকেই কৰি থাকে।" ৩৯ তাৰ উত্তৰত তেওঁলোকে
যীচুক ক'লে, "আমাৰ পিতৃ অব্ৰাহাম।" যীচুৱে তেওঁলোকক ক'লে,
"আপোনালোক যদি অব্ৰাহামৰ সন্তান হয়, তেনেহলে অব্ৰাহামে যি
কৰিলে, আপোনালোকেও তেনে কৰ্ম কৰিলেহেঁতেন। ৪০ ঈশ্বৰৰ
ওচৰৰ পৰা যি সত্য মই শুনিলো, তাকেই আপোনালোকক কৈছোঁ।
তথাপি এতিয়া আপোনালোকে মোকে বধ কৰিবলৈ বিচাৰিছে; কিন্তু
অব্ৰাহামেতো এনে কৰ্ম কৰা নাই। ৪১ আপোনালোকৰ পিতৃয়ে যি কৰ্ম
কৰে, আপোনালোকে তাকে কৰে।" তেওঁলোকে তেতিয়া যীচুক ক'লে,
"আমি জাৰজ সন্তান নহওঁ; আমাৰ এজন পিতৃ আছে, তেওঁ ঈশ্বৰ।" ৪২
যীচুৱে তেওঁলোকক ক'লে, "ঈশ্বৰ আপোনালোকৰ পিতৃ হোৱা হ'লে,
আপোনালোকে মোক প্ৰেম কৰিলেহেঁতেন; কিয়নো মই ঈশ্বৰৰ ওচৰৰ
পৰা আহিছোঁ; মই নিজৰ পৰা আহি ইয়াত থকা নাই, কিন্তু ঈশ্বৰেহে
মোক ইয়ালৈ পঠিয়ালে। ৪৩ আপোনালোকে মোৰ কথাবোৰ কিয়
নুবুজে? তাৰ কাৰণ এই যে আপোনালোকে মোৰ কথাবোৰ শুনি সহন
কৰিব পৰা নাই। ৪৪ চয়তান আপোনালোকৰ পিতৃ আৰু আপোনালোক
তাৰ পৰা হৈছে। সেই কাৰণে আপোনালোকে আপোনালোকৰ সেই
পিতৃৰ অভিলাষ পূৰ্ণ কৰিবলৈ ইচ্ছা কৰে। চয়তান আদিৰে পৰা
নৰবধী; সি সত্যত নাথাকে, কিয়নো তাৰ ভিতৰত সত্য নাই। সি
যেতিয়া মিছা কথা কয়, তেতিয়া সি নিজৰ স্বভাৱৰ পৰাই কয়। কাৰণ
সি মিছলীয়া আৰু সকলো মিছাৰ বাপেক। ৪৫ মই সত্য কথা কওঁ
বাবে আপোনালোকে মোক বিশ্বাস নকৰে। ৪৬ আপোনালোকৰ মাজৰ
কোনে মোক পাপী বুলি দোষী কৰিব পাৰে? মই যদি সত্য কথা

কৈছোঁ, তেনেহলে আপোনালোকে কিয় মোক বিশ্বাস নকৰে? ৪৭ যি
জন ঈশ্বৰৰ লোক, তেওঁ ঈশ্বৰৰ কথা শুনে। আপোনালোকে সেই
বাবেই নুশুনে, কাৰণ আপোনালোক ঈশ্বৰৰ লোক নহয়।” ৪৮ ইহুদী
সকলে উত্তৰ দি তেওঁক ক’লে, “আমি সঁচাকৈয়ে জানো কোৱা নাছিলো
যে তুমি এজন চমৰীয়া, আৰু তোমাৰ ভিতৰত এটা ভূত আছে?” ৪৯
যীচুৱে উত্তৰ দিলে, “মোক ভূতে পোৱা নাই, বৰঞ্চ মই মোৰ পিতৃক
সন্মান কৰোঁ; কিন্তু, আপোনালোকে মোক অসন্মান কৰে। ৫০ মই
মোৰ নিজৰ মৰ্যদা নিবিচাৰোঁ; কিন্তু এজন আছে যি জনে বিচাৰে
আৰু তেওঁ বিচাৰো কৰে। ৫১ মই আপোনালোকক সঁচাকৈয়ে কওঁ,
কোনোৱে যদি মোৰ বাক্য পালন কৰে, তেওঁ কোনো কালে মৃত্যুক
নেদেখিব।” (aiōn g165) ৫২ ইহুদী সকলে তেওঁক ক’লে, “এতিয়া আমি
সঁচাই বুজিছো যে তোমাৰ গাত ভূত আছে। অব্ৰাহাম আৰু ভাৱবাদী
সকল মৰি গ’ল, কিন্তু তুমি কৈছা, ‘কোনোৱে যদি মোৰ বাক্য পালন
কৰে, তেওঁ কোনো কালে মৃত্যুভোগ নকৰিব।’ (aiōn g165) ৫৩ তুমি
কি আমাৰ ওপৰ-পিতৃ অব্ৰাহামতকৈয়ো মহান হ’লা নেকি? তেওঁৰ
মৃত্যু হ’ল আৰু ভাৱবাদী সকলৰো মৃত্যু হ’ল; তুমি নিজকে কোন বুলি
ভাৱিছা?” ৫৪ যীচুৱে উত্তৰ দিলে, “মই যদি নিজে নিজক মহিমান্বিত
কৰোঁ, তেনেহলে মোৰ মহিমাৰ একো মূল্য নাই; কিন্তু মোৰ পিতৃ, যি
জনক আপোনালোকে আপোনালোকৰ ঈশ্বৰ বুলি দাবী কৰে, তেৱেঁই
মোক গৌৰৱান্বিত কৰে। ৫৫ আপোনালোকে তেওঁক নাজানে; মই
হ’লে তেওঁক জানো; মই তেওঁক নাজানো বুলি যদি কওঁ, তেনেহলে
আপোনালোকৰ নিচিনা মিছলীয়া হ’ম। কিন্তু মই তেওঁক জানো, আৰু
তেওঁৰ বাক্য পালন কৰোঁ। ৫৬ আপোনালোকৰ ওপৰ-পুৰুষ অব্ৰাহামে
মোৰ দিন দেখাৰ আশাত উল্লাসিত হৈছিল; তেওঁ সেইদিন দেখিলে
আৰু আনন্দ কৰিলে।” ৫৭ ইহুদী সকলে যীচুক ক’লে, “তোমাৰ বয়স
এতিয়াও পঞ্চাশ বছৰ হোৱাই নাই আৰু তুমি অব্ৰাহামক দেখিলা নে?”
৫৮ যীচুৱে তেওঁলোকক ক’লে, “সঁচাকৈয়ে মই আপোনালোকক কওঁ,
অব্ৰাহামৰ জন্মৰ আগৰে পৰা মই আছোঁ।” ৫৯ তেতিয়া তেওঁলোকে

তেওঁক মাৰিবৰ কাৰণে শিল তুলি ল'লে। কিন্তু যীচুৱে গোপনে মন্দিৰৰ
পৰা বাহিৰলৈ ওলাই গ'ল।

**৯** যীচুৱে বাটেদি গৈ থকাৰ সময়ত এজন ওপজাৰে পৰা অন্ধ মানুহক
দেখিলে। ২ তেওঁৰ শিষ্য সকলে তেওঁক সুধিলে, "ৰব্বি এই মানুহ কাৰ
পাপৰ কাৰণে অন্ধ হৈ উপজিল? সি নিজে পাপ কৰিলে, নে তেওঁৰ
মাক-বাপেকে পাপ কৰিলে?" ৩ যীচুৱে উত্তৰ দিলে, "সি নিজেও পাপ
কৰা নাই, আৰু তাৰ মাক-বাপেকেও কৰা নাই, কিন্তু এওঁৰ মাধ্যমেদি
ঈশ্বৰৰ কৰ্ম প্ৰকাশিত হ'বলৈহে হৈছে। ৪ আমি দিন থাকোতেই
মোক পঠোৱা জনৰ কৰ্ম কৰিব লাগে। ৰাতি হৈ আহিছে, তেতিয়া
কোনেও কৰ্ম কৰিব নোৱাৰিব। ৫ যিমান দিন মই জগতত আছোঁ,
মইয়ে জগতৰ পোহৰ।" ৬ এই কথা কোৱাৰ পাছত তেওঁ মাটিত থুই
পেলাই, থুইৰে বোকা কৰিলে আৰু অন্ধ লোক জনৰ চকুত সেই বোকা
সানি বা লিপি দিলে। ৭ তাৰ পাছত তেওঁক ক'লে, "যোৱা; চীলোহৰ
পুখুৰীত গৈ ধুই পেলোৱা।" ('চীলোহ'ৰ অনুবাদিত অৰ্থ 'পঠোৱা হ'ল');
তেতিয়া মানুহ জনে গৈ ধুলে আৰু দৃষ্টি পাই ঘূৰি আহিল। ৮ তাকে
দেখি তেওঁৰ প্ৰতিবেশী আৰু যি সকলে তেওঁক আগেয়ে ভিক্ষা কৰা
দেখিছিল, তেওঁলোকে কবলৈ ধৰিলে, "ই সেই জন মানুহ নহয় নে,
যি জনে বহি ভিক্ষা মাগি থাকে?" ৯ কোনো কোনোৱে ক'লে, "হয়,
ইয়েই সেই জন।" আন কোনোবাই ক'লে, "নহয়; কিন্তু ই দেখাত তাৰ
নিচিনা।" কিন্তু মানুহ জনে নিজে ক'লে, "হয়, মই সেই জনেই হওঁ।"
১০ তেওঁলোকে তেওঁক সুধিলে, "তেনেহ'লে তোমাৰ চকু কেনেকৈ
মুকলি হ'ল?" ১১ তেওঁ উত্তৰ দিলে, "যীচু নামৰ মানুহ জনে মাটি
বোকা কৰিলে আৰু মোৰ চকুত সেই বোকা লিপি দি বা সানি দি
ক'লে, 'চীলোহ'লৈ গৈ ধুই পেলোৱা'; সেইদৰে মই গৈ ধোৱাত দেখা
পালোঁ।" ১২ তেতিয়া তেওঁলোকে তেওঁক সুধিলে, "সেই জন ক'ত
আছে?" তেওঁ ক'লে "মই নাজানো।" ১৩ যি জন মানুহ আগেয়ে অন্ধ
আছিল, লোক সকলে তেওঁক ফৰীচী সকলৰ ওচৰলৈ লৈ গ'ল। ১৪
যিদিনা যীচুৱে বোকা কৰি তেওঁৰ চকু মুকলি কৰিছিল, সেই দিনটো
বিশ্ৰামবাৰ আছিল। ১৫ সেই কাৰণে ফৰীচী সকলে আকৌ তেওঁক প্ৰশ্ন

সুধিলে যে তেওঁ কেনেকৈ দৃষ্টি ঘূৰাই পালে। তেওঁ তেওঁলোকক ক'লে,
“তেওঁ মোৰ চকুত বোকা লগাই দিলে, আৰু মই ধুই দিয়াত এতিয়া মই
দেখা পাওঁ।” ১৬ তাতে ফৰীচী সকলৰ কিছুমানে ক'লে, “এই মানুহ
ঈশ্বৰৰ ওচৰৰ পৰা অহা নাই; কিয়নো সি বিশ্ৰামবাৰ পালন নকৰে।”
কিন্তু আন কোনো কোনোৱে ক'লে, “কিন্তু পাপী মানুহে কেনেকৈ
এনে আচৰিত কাম কৰিব পাৰে?” এইদৰে তেওঁলোকৰ মাজত ভাগ
ভাগ হ'ল। ১৭ সেয়ে, তেওঁলোকে আকৌ সেই অন্ধ জনক সুধিলে,
“যি মানুহ জনে তোমাৰ চকু মুকলি কৰিলে, তুমি তেওঁৰ বিষয়ে কি
কোৱা?” মানুহ জনে ক'লে, “তেওঁ এজন ভাববাদী।” ১৮ মানুহ জনৰ
মাক-বাপেকক মাতি আনি নুসুধা পৰ্যন্ত ইহুদী সকলে বিশ্বাস নকৰিলে
যে এই মানুহ জন আগতে অন্ধ আছিল আৰু এতিয়া দেখা পাইছে। ১৯
তেওঁলোকে তেওঁৰ মাক-বাপেকক সুধিলে, “এই জন তোমালোকৰ
সেই ল'ৰা জন হয় নে, যি জনৰ বিষয়ে তোমালোকে কৈ থাকা যে সি
অন্ধ হৈয়ে জন্মিছিল। তেনেহলে সি এতিয়া কেনেকৈ দেখা পাইছে?”
২০ তেওঁৰ মাক-বাপেকে উত্তৰ দিলে, “আমি জানো, ই আমাৰে ল'ৰা
আৰু সি ওপজাৰে পৰা অন্ধ আছিল। ২১ কিন্তু সি এতিয়া কেনেকৈ
দৃষ্টি পাইছে, তাক নাজানো; আৰু কোনে তাৰ চকু মুকলি কৰিলে, সেই
বিষয়েও নাজানো; তাৰ বয়স হৈছে, তাকে সুধক, সিয়ে নিজৰ বিষয়ে
নিজে ক'ব।” ২২ ইহুদী সকলৰ ভয়তে তেওঁৰ মাক-বাপেকে এই কথা
ক'লে। কিয়নো ইহুদী সকলে আগেয়ে স্থিৰ কৰিছিল যে কোনোৱে
যদি যীচুক মচীহ বুলি স্বীকাৰ কৰে, তেনেহলে তেওঁক নাম-ঘৰৰ পৰা
বাহিৰ কৰা হ'ব। ২৩ এই কাৰণতে, তেওঁৰ মাক-বাপেকে ক'লে, “সি
বয়সীয়া; তাক সোধক।” ২৪ তেতিয়া তেওঁলোকে আগেয়ে অন্ধ হৈ
থকা মানুহ জনক দ্বিতীয় বাৰ মাতি ক'লে, “ঈশ্বৰৰ মহিমা কৰা; সেই
মানুহ যে এজন পাপী তাক আমি জানো।” ২৫ তাতে তেওঁ উত্তৰ দিলে,
“তেওঁ পাপী হয় নে নহয়, তাক মই নাজানো; কিন্তু এটা বিষয় জানো
যে মই অন্ধ আছিলোঁ আৰু এতিয়া দেখা পাইছো।” ২৬ তেওঁলোকে
তেওঁক সুধিলে, “তেওঁ তোমাক কি কৰিলে? তোমাৰ চকু কেনেকৈ
মুকলি কৰিলে?” ২৭ তেওঁ উত্তৰ দিলে, “মইতো আপোনালোকক

অথনিয়ে ক'লো, কিন্তু আপোনালোকে নুশুনিলে; তেনেহলে আকৌ কি
কাৰণে শুনিব খোজিছে? আপোনালোকেও তেওঁৰ শিষ্য হ'বলৈ ইচ্ছা
কৰে নেকি?" ২৮ তেতিয়া তেওঁলোকে সেই মানুহক ধিক্কাৰ দি ক'লে,
"তইহে তাৰ শিষ্য; আমি হ'লে মোচিৰ শিষ্য। ২৯ ঈশ্বৰে যে মোচিৰ
কথা ক'লে, তাক আমি জানো; কিন্তু এই মানুহ ক'ৰ পৰা আহিছে,
তাক আমি নাজানো।" ৩০ সেই মানুহে উত্তৰ দি তেওঁলোকক ক'লে,
"কি বিস্ময়জনক বিষয়! তেওঁ কৰ পৰা আহিছে তাক আপোনালোকে
নাজানে, অথচ তেওঁ মোৰ চকু মুকলি কৰিলে। ৩১ আমি জানো যে,
ঈশ্বৰে পাপী লোকৰ কথা নুশুনে; কিন্তু যি জনে ঈশ্বৰৰ আৰাধনা কৰে
আৰু তেওঁৰ ইচ্ছা পালন কৰে সেই জনৰ কথা, ঈশ্বৰে শুনে। ৩২
জগত সৃষ্টি হোৱাৰে পৰা কেতিয়াও শুনা নাই যে কোনোবাই এজন
ওপজাৰে পৰা অন্ধ লোকৰ চকু মুকলি কৰিলে। **(aiōn g165)** ৩৩ সেই
মানুহ যদি ঈশ্বৰৰ ওচৰৰ পৰা অহা নাই, তেনেহ'লে একোকে কৰিব
নোৱাৰিলেহেঁতেন।" ৩৪ তেওঁলোকে উত্তৰ দি তেওঁক ক'লে, "তইতো
সম্পূৰ্ণ পাপতে জন্ম পাইছ! এতিয়া তই আমাকে শিকাও নে?" তাৰ
পাছত ইহুদী সকলে তেওঁক নাম-ঘৰৰ পৰা বাহিৰ কৰি দিলে। ৩৫
যীচুৱে শুনিলে যে ইহুদী নেতা সকলে সেই লোক জনক নাম-ঘৰৰ
পৰা বাহিৰ কৰি দিলে। পাছত যীচুৱে তেওঁক দেখা পাই সুধিলে, "তুমি
মানুহৰ পুত্ৰক বিশ্বাস কৰিছা নে?" ৩৬ তেওঁ উত্তৰ দি ক'লে, "প্ৰভু,
তেওঁ কোন? মোক কওক, মই যেন তেওঁক বিশ্বাস কৰিব পাৰোঁ।"
৩৭ যীচুৱে তেওঁক ক'লে, "তুমি তেওঁক দেখা পালা; আৰু তোমাৰে
সৈতে কথা পাতি থকা জনেই সেই জন।" ৩৮ তেতিয়া মানুহ জনে
ক'লে, "প্ৰভু, মই বিশ্বাস কৰিছোঁ" এই বুলি তেওঁ যীচুক সেৱা কৰিলে।
৩৯ যীচুৱে ক'লে, "মই এই জগতলৈ সোধ-বিচাৰ কৰিবলৈ আহিছোঁ,
যাতে যি সকলে দেখা নাপায়, তেওঁলোকে দেখা পায় আৰু যি সকলে
দেখা পায়, তেওঁলোক যেন অন্ধ হয়।" ৪০ কেইজনমান ফৰীচীও যীচুৰ
লগত আছিল। তেওঁলোকে ইয়াকে শুনি যীচুক সুধিলে, "আমিও অন্ধ
নেকি?" ৪১ যীচুৱে তেওঁলোকক ক'লে, "আপোনালোক যদি অন্ধ
হ'য়, তেনেহলে আপোনালোকৰ কোনো পাপেই নহ'লহেঁতেন; কিন্তু

তোমালোকে এতিয়া কৈছা, 'আমি দেখিছোঁ;' গতিকে তোমালোকৰ
পাপ থাকি গ'ল।

১০ যীচুৱে ক'লে, "মই সঁচাকৈ আপোনালোকক কওঁ, যি জনে মেৰৰ
গৰাললৈ সোমাওঁতে দুৱাৰেদি নোসোমায়, কিন্তু তাৰ পৰিৱৰ্তে আন
কোনো ফালে বগাই সোমায়, সি এটা চোৰ আৰু ডকাইত। ২ যি জনে
দুৱাৰেদি সোমায়, তেওঁ মেৰৰখীয়া। ৩ দ্বাৰ-ৰক্ষকে মেৰৰখীয়াক
দুৱাৰ মেলি দিয়ে। মেৰবোৰে তেওঁৰ মাত শুনে আৰু তেওঁ নিজৰ
মেষবোৰক নাম ধৰি ধৰি মাতি বাহিৰলৈ লৈ যায়। ৪ নিজৰ সকলো
মেষক বাহিৰ কৰাৰ পাছত তেওঁ মেৰবোৰৰ আগে আগে যায় আৰু
মেষবোৰ তেওঁৰ পাছে পছে গৈ থাকে, কিয়নো সিহঁতে তেওঁৰ মাত
বুজি পায়। ৫ সিহঁতে এজন অচিনাকি লোকৰ পাছত কেতিয়াও নাযাব,
বৰং সিহঁত তেওঁৰ ওচৰৰ পৰা পলাইহে যাব। কাৰণ সিহঁতে অচিনাকি
লোকৰ মাত চিনি নাপায়। ৬ যীচুৱে তেওঁলোকক এই দৃষ্টান্তটো ক'লে;
কিন্তু তেওঁ যে কি কব বিচাৰিছে, সেই বিষয়ে তেওঁলোকে নুবুজিলে।
৭ তেতিয়া যীচুৱে পুনৰ তেওঁলোকক ক'লে, "মই আপোনালোকক
সঁচাই কওঁ, ময়েই মেৰৰ গৰালৰ দুৱাৰ। ৮ মোৰ আগেয়ে যি সকল
আহিল, তেওঁলোক সকলোৱেই চোৰ আৰু ডকাইত; কিন্তু মেৰবোৰে
সিহঁতৰ কথা নুশুনিলে। ৯ ময়েই দুৱাৰ; যি কোনোৱে মোৰ মাজেদি
সোমায়, তেওঁ ৰক্ষা পাব। তেওঁ ভিতৰলৈ আৰু বাহিৰলৈ অহা-যোৱা
কৰিব, আৰু চৰণীয়া ঠাই পাব। ১০ চোৰে কেৱল চুৰ, বধ, আৰু বিনাশ
কৰিবলৈহে আহে; কিন্তু মই হ'লে, তেওঁলোকে যেন জীৱন পায় আৰু
তাকেই যেন প্ৰচুৰকৈ পায়, এই কাৰণে আহিলোঁ। ১১ ময়েই সজ
মেষৰখীয়া; সজ মেৰৰখীয়াই তেওঁৰ মেৰৰ কাৰণে নিজৰ প্ৰাণকো
দিয়ে। ১২ কিন্তু এজন বেতনভোগী দাস, তেওঁ নিজে মেৰৰখীয়া
নহয় আৰু মেৰবোৰ তেওঁৰ নিজৰ নহয়; সেই বাবে তেওঁ যেতিয়া
ৰাংকুকুৰ অহা দেখে, মেৰবোৰ এৰি পলাই যায়; তাতে ৰাংকুকুৰে
সিহঁতক ধৰি লৈ যায় আৰু সিহঁত চাৰিওফালে ছিন্ন-ভিন্ন হৈ পৰে। ১৩
এজন বেতনভোগী দাস হোৱাৰ কাৰণে তেওঁ পলাই যায়; মেৰবোৰলৈ
তেওঁৰ কোনো চিন্তা নাথাকে। ১৪ ময়েই সজ মেষৰখীয়া; মই নিজৰ

মেষবোৰক জানো আৰু মোৰ মেষবোৰেও মোক জানে; ১৫ পিতৃয়ে
মোক জানে আৰু ময়ো পিতৃক জানো। মই মোৰ মেৰৰ বাবে নিজৰ
প্ৰাণকো দিওঁ। ১৬ মোৰ এনে অনেক মেৰ আছে, যি এই গৰালৰ
নহয়। মই অৱশ্যেই সিহঁতক আনিব লাগে। সিহঁতেও মোৰ মাত শুনিব
আৰু তেতিয়া সকলো একেটা জাক হ'ব আৰু সিহঁতৰ ৰখীয়াও হ'ব
এজন। ১৭ পিতৃয়ে মোক এই বাবেই প্ৰেম কৰে; কাৰণ মই নিজৰ
প্ৰাণ সমৰ্পণ কৰোঁ যাতে সেই প্ৰাণ পুনৰায় পাব পাৰোঁ। ১৮ কোনেও
মোৰ পৰা মোৰ প্ৰাণ হৰণ কৰিব নোৱাৰে, কিন্তু মই নিজে তাক
সমৰ্পণ কৰোঁ আৰু তাক সমৰ্পণ কৰাৰ ক্ষমতা মোৰ আছে; পুনৰায়
তাক পোৱাৰ ক্ষমতাও মোৰ আছে। এই আজ্ঞা মই মোৰ পিতৃৰ পৰা
পাইছোঁ।" ১৯ এনেবোৰ কথাৰ কাৰণে ইহুদী সকলৰ মাজত আকৌ
মতৰ অমিল হবলৈ ধৰিলে। ২০ তেওঁলোকৰ মাজৰ অনেকে ক'লে,
"ইয়াক ভূতে পাইছে; ই বলিয়া; ইয়াৰ কথা তোমালোকে কিয় শুনা?"
২১ আন সকলে ক'লে, "কিন্তু এই সকলো কথাতো এজন ভূতে পোৱা
মানুহে কোৱা কথা নহয়। ভূতে জানো অন্ধৰ চকু মুকলি কৰিব পাৰে?"
২২ তাৰ পাছত যিৰূচালেমত মন্দিৰ প্ৰতিষ্ঠাৰ পৰ্ব উপস্থিত হ'ল। ২৩
সেই সময়ত শীতকাল আছিল; যীচুৱে মন্দিৰত চলোমনৰ বাৰাণ্ডাত
খোজকাঢ়ি আছিল। ২৪ তেনেতে ইহুদী সকলে তেওঁক আগুৰি ধৰি
ক'লে, "আৰু কিমান কাল তুমি আমাক সন্দেহৰ দোমোজাত ৰাখিবা?
তুমিয়ে যদি খ্ৰীষ্ট হোৱা, তেনেহলে আমাক স্পষ্টকৈ কোৱা।" ২৫ যীচুৱে
উত্তৰ দিলে, "মই আপোনালোকক ক'লো, কিন্তু আপোনালোকেতো
বিশ্বাসেই নকৰে; মোৰ পিতৃৰ নামেৰে মই যি সকলো কৰ্ম কৰিছোঁ,
সেইবোৰেই মোৰ বিষয়ে সাক্ষ্য দিছে। ২৬ তথাপি আপোনালোকে
বিশ্বাস নকৰে; কাৰণ আপোনালোক মোৰ মেৰৰ জাকৰ মাজৰ নহয়।
২৭ মোৰ মেৰবোৰে হ'লে মোৰ মাত শুনে। মই সেই সকলক জানো,
আৰু সেই সকল মোৰ পাছে পাছে আহে; ২৮ মই সেই সকলক অনন্ত
জীৱন দিওঁ; তাতে তেওঁলোক কোনো কালে বিনষ্ট নহ'ব, আৰু কোনেও
মোৰ হাতৰ পৰা তেওঁলোকক কাঢ়ি নল'ব। **(aiōn g165, aiōnios g166)**
২৯ মোৰ পিতৃ, যি জনে তেওঁলোকক মোক দিলে, তেওঁ সবাতোকৈ

মহান; সেই পিতৃৰ হাতৰ পৰা তেওঁলোকক কোনেও কাঢ়ি ল’ব
নোৱাৰে। ৩০ মই আৰু পিতৃ এক।” ৩১ তেতিয়া ইহুদী সকলে তেওঁক
মাৰিবলৈ আকৌ শিল তুলি ল’লে। ৩২ যীচুৱে তেওঁলোকক উত্তৰ দিলে,
“পিতৃৰ পৰা অনেক ভাল কৰ্ম কৰি মই আপোনালোকক দেখুৱালোঁ;
সেইবোৰৰ কোন কৰ্মৰ কাৰণে আপোনালোকে মোক শিল দলিয়াই
মাৰিব বিছাৰিছে?” ৩৩ ইহুদী সকলে তেওঁক উত্তৰ দিলে, “ভাল কৰ্মৰ
কাৰণে আমি তোমাক শিল দলিয়াই মাৰিব বিচৰা নাই, কিন্তু তুমি
মানুহ হৈয়ো, নিজকে ঈশ্বৰ বুলি ঈশ্বৰক নিন্দা কৰিছা, সেই কাৰণেহে
বিচাৰিছোঁ।” ৩৪ যীচুৱে তেওঁলোকক উত্তৰ দিলে, “আপোনালোকৰ
বিধান-শাস্ত্ৰত জানো এইদৰে লিখা নাই ‘মই ক’লো, “তোমালোক
ঈশ্বৰবোৰ?”’ ৩৫ যি সকল লোকলৈ ঈশ্বৰৰ বাক্য আহিছিল, সেই
লোক সকলক তেওঁ যদি ঈশ্বৰবুলি ক’লে (ধৰ্মশাস্ত্ৰৰ বচন অলৰ, এই
বচন কেতিয়াও ভংগ নহয়)। ৩৬ তেনেহলে যি জনক পিতৃয়ে পবিত্ৰ
কৰিলে আৰু জগতলৈ পঠালে, তেওঁক আপোনালোকে কিয় কয়, ‘তুমি
ঈশ্বৰ নিন্দা কৰিছা’ বুলি; কাৰণ মই ক’লো যে, ‘মই ঈশ্বৰৰ পুত্ৰ’? ৩৭
মোৰ পিতৃৰ কাৰ্য যদি মই নকৰোঁ, তেনেহলে মোক বিশ্বাস নকৰিব;
৩৮ কিন্তু যদি কৰোঁ, মোক বিশ্বাস নকৰিলেও, অন্তত: সেই কাৰ্যক
বিশ্বাস কৰক, যাতে আপোনালোকে জানিব পাৰে আৰু বুজিব পাৰে যে
পিতৃ মোত আছে আৰু মই পিতৃত আছোঁ।” ৩৯ তেতিয়া তেওঁলোকে
আকৌ যীচুক ধৰিবলৈ উপায় বিচাৰিলে; কিন্তু তেওঁ তেওঁলোকৰ হাতৰ
পৰা ওলাই গ’ল। ৪০ পাছত যৰ্দ্দনৰ সিপাৰত য’ত যোহনে প্ৰথমতে
বাপ্তিস্ম দিছিল, যীচু সেই ঠাইলৈ পুণৰ গ’ল আৰু তাতে থকিল। ৪১
তাতে অনেক লোক যীচুৰ ওচৰলৈ আহিল আৰু কোৱা-কুই কৰিবলৈ
ধৰিলে “যোহনে একো আচৰিত চিন নকৰিব পাৰে সঁচা, কিন্তু এই
লোকৰ বিষয়ে তেওঁ যি যি কথা কৈছিল, সেই সকলোৱেই সত্য।” ৪২
আৰু সেই ঠাইত অনেকে যীচুক বিশ্বাস কৰিলে।

**১১** বৈথনিয়া গাৱঁৰ লাজাৰ নামৰ এজন ব্যক্তিৰ অসুখ হৈ আছিল।
মৰিয়ম আৰু তাইৰ বায়েক মাৰ্থাও সেই গাৱঁতে থাকে। ২ এওঁ সেই
জনী মৰিয়ম, যি গৰাকীয়ে পাছত প্ৰভুৰ ওপৰত বহুমূল্য সুগন্ধি

তেল ঢালি নিজৰ চুলিৰে প্ৰভুৰ চৰণ মচি মচি সানি দিছিল। তেওঁৰে
ভায়েক এই লাজাৰ অসুস্থ আছিল। ৩ সেয়ে লাজাৰৰ বায়েক ভনীয়েক
দুজনীয়ে যীচুলৈ এই কথা কৈ পঠিয়ালে, “প্ৰভু, চাওকহি, আপুনি যাক
প্ৰেম কৰে, তেওঁ নৰিয়াত পৰি আছে।” ৪ যীচুৱে এই কথা শুনি ক'লে,
“এই অসুখ তেওঁৰ মৃত্যুৰ কাৰণে হোৱা নাই, কিন্তু ঈশ্বৰৰ গৌৰৱৰ
কাৰণেই হৈছে, যেন তাৰ দ্বাৰাই ঈশ্বৰৰ পুত্ৰ মহিমান্বিত হয়।” ৫
মাৰ্থা, তেওঁৰ ভনীয়েক আৰু লাজাৰক যীচুৱে প্ৰেম কৰিছিল। ৬ তেওঁ
যেতিয়া শুনিলে যে লাজাৰ অসুস্থ, তেতিয়া তেওঁ যি ঠাইত আছিল
তাতে পুনৰ দুদিন থাকিল। ৭ তাৰ পাছতহে তেওঁ শিষ্য সকলক ক'লে,
“ব'লা, আমি পুণৰ যিহুদীয়ালৈ যাওঁ।” ৮ শিষ্য সকলে তেওঁক ক'লে,
“ৰব্বি, এই কিছুদিনৰ আগেয়ে ইহুদী সকলে আপোনাক শিল দলিয়াই
মাৰিবলৈ বিচাৰিছিল; আকৌ তালৈকে যায় নে?” ৯ যীচুৱে উত্তৰ
দিলে, “দিনটোত বাৰ ঘণ্টা পোহৰ হৈ নাথাকে জানো? কোনোৱে যদি
দিনত ফুৰে, তেনেহলে তেওঁ উজুটি নাখায়; কিয়নো তেওঁ এই জগতৰ
পোহৰ দেখে। ১০ কিন্তু কোনোৱে যদি ৰাতি ফুৰে, তেনেহলে তেওঁ
উজুটি খায়; কিয়নো পোহৰ তেওঁৰ মাজত নাই।” ১১ এই কথা কোৱাৰ
পাছত তেওঁ শিষ্য সকলক ক'লে, “আমাৰ বন্ধু লাজাৰ টোপনি গৈছে;
তেওঁক টোপনিৰ পৰা জগাবলৈ মই যাওঁ।” ১২ তাতে শিষ্য সকলে
তেওঁক ক'লে, “প্ৰভু, তেওঁ যদি টোপনি গৈছে, তেনেহলে ভাল হৈ
যাব।” ১৩ যীচুৱে লাজাৰৰ মৃত্যুৰ বিষয়ে কৈছিল, কিন্তু শিষ্য সকলে
ভাবিলে যে যীচুৱে স্বাভাৱিক টোপনিত জিৰণি লোৱাৰ কথা কৈছে।
১৪ যীচুৱে তেতিয়া স্পষ্টকৈ তেওঁলোকক ক'লে, “লাজাৰ মৰিল। ১৫
তোমালোকৰ বাবে মই আনন্দিত হৈছোঁ যে মই তাত নাছিলো; কাৰণ
তোমালোকে যেন বিশ্বাস কৰিব পাৰা। আহা, আমি তেওঁৰ ওচৰলৈ
যাওঁ।” ১৬ তেতিয়া থোমা, যি জনক দিদুমো বোলা হয়, তেওঁ লগৰ
শিষ্য সকলক ক'লে, “ব'লা, আমিও যাওঁ, আমিও যীচুৰ লগতে মৰিব
পাৰিম।” ১৭ যীচুৱে আহি শুনিব পাৰিলে যে লাজাৰক মৈদাম দিয়া চাৰি
দিন হ'ল। ১৮ বৈথনিয়া যিৰূচালেমৰ ওচৰতে, প্ৰায় দুই মাইলমানৰ
দূৰত্ব; ১৯ ইহুদী সকলৰ অনেকেই মাৰ্থা আৰু মৰিয়মক ভায়েকৰ

কাৰণে সান্ত্বনা দিবলৈ আহি আছিল। ২০ এনেতে মাৰ্থাই যেতিয়া যীচু
অাহিছে বুলি শুনিলে, তেতিয়া তেওঁৰ লগত দেখা কৰিবলৈ গ'ল;
কিন্তু মৰিয়ম তেতিয়াও ঘৰতে বহি আছিল। ২১ মাৰ্থাই যীচুক ক'লে,
“হে প্ৰভু, আপুনি ইয়াত থকা হ'লে, মোৰ ভাই নমৰিলহেঁতেন; ২২ কিন্তু
এতিয়াও মই জানো যে, ঈশ্বৰৰ আগত আপুনি যিহকে যাচনা কৰিব,
ঈশ্বৰে আপোনাক তাকে দিব।” ২৩ যীচুৱে তেওঁক ক'লে, “তোমাৰ
ভায়েৰা পুনৰায় উঠিব।” ২৪ মাৰ্থাই তেওঁক ক'লে, “মই জানো, শেষৰ
দিনা পুনৰুত্থানৰ কালত সি পুণৰায় উঠিব।” ২৫ যীচুৱে মাৰ্থাক ক'লে,
“ময়েই পুনৰুত্থান আৰু জীৱনো; যি কোনোৱে মোক বিশ্বাস কৰে, তেওঁ
মৰিলেও জীয়াই থাকিব; ২৬ আৰু যি কোনোৱে জীয়াই থাকি মোত
বিশ্বাস কৰে, তেওঁ কোনো কালে নমৰিব। তুমি কি এই কথা বিশ্বাস
কৰা নে?” **(aiōn g165)** ২৭ তেওঁ ক'লে, “হয় প্ৰভু; মই বিশ্বাস কৰিছোঁ
যে জগতলৈ যি জন আহিব লগা আছে, আপুনিয়েই সেই অভিষিক্ত
জন, ঈশ্বৰৰ পুত্ৰ; খ্ৰীষ্ট।” ২৮ এই কথা কৈ, মাৰ্থা তাৰ পৰা আতৰি
গ'ল আৰু ভনীয়েক মৰিয়মক গুপুতে মাতি ক'লে, “গুৰু আহিল, আৰু
তোমাক মাতিছে।” ২৯ মৰিয়মে তাকে শুনি ততাতৈয়াকৈ উঠি তেওঁৰ
ওচৰলৈ গ'ল। ৩০ যীচুৱে তেতিয়াও গাঁৱৰ মাজত প্ৰৱেশ কৰা নাছিল।
মাৰ্থাই যি ঠাইত তেওঁৰ লগত দেখা কৰিবলৈ আহিছিল, তেওঁ সেই
ঠাইতে আছিল। ৩১ যি ইহুদী সকল মৰিয়মৰ সৈতে ঘৰত আছিল আৰু
তেওঁক সান্ত্বনা দি আছিল, তেওঁলোকে মৰিয়মক বেগাই উঠি বাহিৰলৈ
যোৱা দেখি, তেওঁৰ পাছে পাছে আহিল। তেওঁলোকে ভাৱিলে যে
মৰিয়মে মৈদামৰ ওচৰত কান্দিবলৈ গৈছে। ৩২ যি ঠাইত যীচু আছিল,
মৰিয়মে সেই ঠাই পাই, তেওঁৰ চৰণত পৰি ক'লে, “হে প্ৰভু, আপুনি
ইয়াত থকা হ'লে, মোৰ ভাই নমৰিলেহেঁতেন।” ৩৩ যীচুৱে যেতিয়া
দেখিলে যে মৰিয়মে কান্দিছে আৰু তেওঁৰ লগত অহা ইহুদী সকলেও
কান্দিছে, তেতিয়া তেওঁ আত্মাত যন্ত্ৰণা পালে আৰু গভীৰ ভাবে উদ্বিগ্ন
হৈ পৰিল। ৩৪ তেওঁ ক'লে, “তোমালোকে তেওঁক ক'ত ৰাখিছা?”
তেওঁলোকে ক'লে, “প্ৰভু, আহি চাওকহি।” ৩৫ যীচুৱে ক্ৰন্দন কৰিলে।
৩৬ ইহুদী সকলে ক'লে, “চোৱা, তেওঁ লাজাৰক কিমান যে প্ৰেম

কৰিছিল!” ৩৭ কিন্তু তেওঁলোকৰ কোনো কোনোৱে ক'লে, “যি জনে
এজন অন্ধৰ চকু মুকলি কৰিলে, তেওঁ এই মানুহ জনৰো মৃত্যু নহবলৈ
এনে একো কৰিব নোৱাৰিলেহেঁতেন নে?” ৩৮ তেতিয়া যীচুৱে পুনৰ
নিজে অন্তৰত যন্ত্ৰণা পালে, আৰু মৈদামৰ ওচৰলৈ গ'ল। সেই মৈদাম
এটা গুহা আছিল। গুহাৰ মুখত এচটা শিল পাতি থোৱা আছিল। ৩৯
যীচুৱে ক'লে, “শিলচটা গুচাই দিয়া।” মৃত লাজাৰৰ বায়েক মাৰ্থাই
যীচুক ক'লে, “প্ৰভু, এতিয়া শৰীৰ পচি দুৰ্গন্ধ হৈছে; কিয়নো সি মৰাৰ
আজি চাৰি দিন হ'ল।” ৪০ যীচুৱে তেওঁক ক'লে, “মই জানো তোমাক
কোৱা নাছিলো, যদি বিশ্বাস কৰা, তেনেহলে ঈশ্বৰৰ মহিমা দেখিবলৈ
পাবা?” ৪১ তেতিয়া লোক সকলে শিলচটা আতৰাই দিলে। যীচুৱে
ওপৰলৈ চকু তুলি ক'লে, “হে পিতৃ, তুমি মোৰ কথা শুনাৰ কাৰণে মই
তোমাক ধন্যবাদ দিওঁ। ৪২ মই জানো, তুমি সকলো সময়তে মোৰ
কথা শুনি থাকা। কিন্তু মোৰ চাৰিওফালে থিয় হৈ থকা লোক সকলৰ
কাৰণে মই এই কথা কৈছোঁ, তেওঁলোকে যেন বিশ্বাস কৰে যে তুমি
মোক পঠাইছা।” ৪৩ ইয়াকে কৈ, তেওঁ ডাঙৰ মাতেৰে ক'লে, “লাজাৰ
বাহিৰলৈ ওলাই আহা!” ৪৪ তেতিয়াই মৃত লাজাৰ সেই মৈদামৰ পৰা
বাহিৰ ওলাই আহিল। তেওঁৰ হাত-ভৰি মৈদামৰ কাপোৰেৰে মেৰিয়াই
বন্ধা আছিল আৰু তেওঁৰ মুখ এখন গামোচাৰে বন্ধা আছিল। যীচুৱে
তেওঁলোকক ক'লে, “বান্ধ খুলি দিয়া আৰু তেওঁক যাবলৈ দিয়া।” ৪৫
মৰিয়মৰ ওচৰলৈ যি সকল ইহুদী লোক আহিছিল, সেই লোক সকলৰ
মাজৰ অনেকে যীচুৱে যি কৰিলে তাকে দেখি তেওঁক বিশ্বাস কৰিলে।
৪৬ কিন্তু তেওঁলোকৰ কিছুমানে ফৰীচী সকলৰ ওচৰলৈ গৈ, যীচুৱে যি
কৰিলে, সেই সকলোকে তেওঁলোকক জনালে।। ৪৭ তেতিয়া প্ৰধান
পুৰোহিত আৰু ফৰীচী সকলে একেলগে পৰিষদক লগত লৈ মহাসভা
পাতি ক'লে, “আমি এতিয়া কি কৰিম? এই মানুহে দেখোন অনেক
আচৰিত চিনৰ কাৰ্য কৰিছে; ৪৮ তাক যদি আমি এইভাৱে এনেয়ে
এৰি দিওঁ, তেনেহলে সকলো মানুহে তাক বিশ্বাস কৰিব। তেতিয়া
ৰোম দেশীয় লোক সকলে আহি আমাৰ জাতি আৰু ঠাই উভয়কে
অধিকাৰ কৰি ল'ব।” ৪৯ কিন্তু তেওঁলোকৰ মাজত কায়াফা নামৰ

এজন, যি জন সেই বছৰত মহা-পুৰোহিত হৈছিল, তেওঁ তেওঁলোকক
ক'লে, "তোমালোকে একোকে নাজানা। ৫০ তোমালোকে ভাৱিও
নোচোঁৱা যে, সকলোৰে লগত আমাৰ জাতিৰ বিনাশ হোৱাতকৈ,
বৰং তোমালোকৰ পক্ষে সকলো লোকৰ কাৰণে এজন মানুহৰ মৃত্যু
হোৱাই ভাল।" ৫১ এই কথা কায়াফাই যে নিজৰ পৰা ক'লে এনে
নহয়; কিন্তু সেই বছৰত মহা-পুৰোহিত হোৱা বাবে ভাববাণী স্বৰূপে
ক'লে যে, সকলো জাতিৰ কাৰণে যীচুৱে মৃত্যুবৰণ কৰিব লাগিব।
৫২ কিন্তু যীচুৱে যে কেৱল ইহুদী জাতিৰ কাৰণে মৃত্যুবৰণ কৰিব,
তেনে নহয়; কিন্তু ঈশ্বৰৰ যি সকলো সন্তান চাৰিওফালে সিচঁৰতি হৈ
আছে, সেই সকলোকে যেন একত্ৰিত কৰিব পাৰে, এই কাৰণে যীচুৱে
মৃত্যুবৰণ কৰিব। ৫৩ সেইদিনা খনৰ পৰা তেওঁলোকে যীচুক বধ
কৰিবলৈ ষড়যন্ত্ৰ কৰিবলৈ ধৰিলে। ৫৪ সেয়ে, যীচুৱে তেতিয়া প্ৰকাশ্যে
ইহুদী সকলৰ মাজত চলা-ফুৰা বন্ধ কৰি দিলে। তেওঁ সেই ঠাইৰ
পৰা মৰুপ্ৰান্তৰৰ ওচৰৰ দেশত থকা ইফ্ৰয়িম নামেৰে এখন নগৰলৈ
গ'ল আৰু তাত তেওঁ শিষ্য সকলৰ সৈতে থাকিল। ৫৫ ইহুদী সকলৰ
নিস্তাৰ-পৰ্বৰ দিন ওচৰ চাপি আহিছিল আৰু দেশৰ বহুলোকে পৰ্বৰ
আগেয়ে নিজকে শুচি কৰিবৰ কাৰণে যিৰূচালেমলৈ গ'ল। ৫৬ তাত
তেওঁলোকে যীচুক বিচাৰিবলৈ ধৰিলে। তেওঁলোকে মন্দিৰত থিয় হৈ
পৰস্পৰে কোৱা-কুই কৰিলে, "তেওঁ কি এই পৰ্বলৈ নাহিব নেকি?
আপোনালোকে কি ভাৱে?" ৫৭ প্ৰধান পুৰোহিত আৰু ফৰীচী সকলে
এই আজ্ঞা দিছিল যে, যীচু ক'ত আছে সেই বিষয়ে যদি কোনোবাই
জানে, তেনেহলে খবৰটো তেওঁলোকক জনাওঁক যাতে তেওঁলোকে
তেওঁক ধৰিব পাৰে।

১২ নিস্তাৰ-পৰ্বৰ ছয় দিনৰ আগতে যীচু বৈথনিয়া গাওঁলৈ আহিল,
সেই ঠাইত লাজাৰে বাস কৰিছিল৷ এই জন লাজাৰকে যীচুৱে মৃত্যুৰ
পৰা তুলিছিল। ২ সেই ঠাইতে তেওঁলোকে যীচুৰ কাৰণে ৰাতিৰ
আহাৰ যুগুত কৰিলে। মাৰ্থাই খোৱা আহাৰ বাঢ়ি দিছিল, যীচুৰ লগত
যি সকলে ভোজনত বহিছিল তেওঁলোকৰ মাজতে লাজাৰো আছিল।
৩ তেতিয়া মৰিয়মে বহুমূল্য বিশুদ্ধ জটামাংসীৰ সুগন্ধি তেল আনি

যীচুৰ চৰণত ঘঁহিলে আৰু নিজৰ চুলিৰে যীচুৰ চৰণ মচি সেই তেল
সানি দিলে; তেতিয়া সেই তেলৰ সু-গন্ধই গোটেই ঘৰ জুৰিলে। ৪
তেতিয়া তেওঁৰ শিষ্য সকলৰ মাজৰ যি জনে তেওঁক শত্রুৰ হাতত
শোধাই দিব, সেই ঈষ্কৰিয়োতীয়া যিহূদাই মৰিয়মৰ এই কাৰ্যক
বিৰোধ কৰিলে আৰু ক'লে, ৫ "আমি এই তেল তিনি শ আধলিত বিক্ৰী
কৰি, দৰিদ্ৰ সকলৰ মাজত কিয় দান নকৰিলোঁ?" ৬ তেওঁ যে দৰিদ্ৰ
সকললৈ চিন্তা কৰি এই কথা কৈছিল, এনে নহয়, কিন্তু তেওঁ চোৰ;
তেওঁৰ হাতত ধনৰ জোলোঙা আছিল, সেই কাৰণে তাৰ ভিতৰত যি
দিয়া যায়, তাকে তেওঁ চোৰ কৰে, এই কাৰণতে তেওঁ এনে কথা
কৈছিল। ৭ তেতিয়া যীচুৱে ক'লে, "তেওঁক অকলে থাকিবলৈ দিয়া!
মোক মৈদামত থোৱা দিনৰ কাৰণে তেওঁক এই সুগন্ধি ৰাখিবলৈ দিয়া
হৈছিল৷ ৮ কিয়নো দৰিদ্ৰ সকল তোমালোকৰ লগত সদায় থাকিব;
কিন্তু মই তোমালোকৰ লগত সদায় নাথাকো।" ৯ ইহুদী সকলৰ
বহুতে গম পালে যে, যীচু বৈথনিয়াতে আছে। তেতিয়া তেওঁলোক
তালৈ আহিল, কিন্তু যীচুক চাবৰ কাৰণে যে আহিল এনে নহয়, যি
জন লাজাৰক মৃত লোকৰ মাজৰ পৰা যীচুৱে তুলিছিল, সেই জন
লাজাৰক চাবলৈহে তেওঁলোক আহিল। ১০ সেয়েহে প্ৰধান পুৰোহিত
সকলে লাজাৰক বধ কৰিবলৈ চক্ৰান্ত কৰিব ধৰিলে; ১১ কিয়নো সেই
কাৰণে বহুতো ইহুদী লোকে যীচুত বিশ্বাস কৰিছিল। ১২ পাছদিনা
নিস্তাৰপৰ্বলৈ অহা লোক সকলে শুনিবলৈ পালে যে, যীচু যিৰূচালেমলৈ
আহিছে। ১৩ তেতিয়া তেওঁলোকে খেজুৰ পাত হাতত লৈ তেওঁক
আগ বঢ়াবলৈ নগৰলৈ গল আৰু চিঞৰি-চিঞৰি ক'লে, "হোচানা!
হোচানা! যি জন প্ৰভুৰ নামেৰে আহিছে, ঈশ্বৰে তেওঁক আশীৰ্বাদ
কৰক৷ ইস্ৰায়েলৰ ৰজাক ঈশ্বৰে আশীৰ্বাদ কৰক।" ১৪ তেতিয়া যীচুৱে
এটা গাধ পোৱালি দেখা পালে আৰু তেওঁ তাৰ ওপৰত বহিল, যেনেকৈ
শাস্ত্ৰত লিখা আছে ১৫ "তোমালোকে ভয় নকৰিবা, হে চিয়োন জীয়ৰী;
চোৱা তোমালোকৰ ৰজা আহিছে, তেওঁ গাধ পোৱালিৰ ওপৰত উঠি
আহিছে৷" ১৬ এই সকলো বিষয় তেওঁৰ শিষ্য সকলে প্ৰথমতে বুজি
পোৱা নাছিল; কিন্তু যেতিয়া যীচু মহিমান্বিত হৈ উত্তোলিত হ'ল, তেতিয়া

তেওঁলোকৰ মনত পৰিল যে, শাস্ত্ৰত এই বিষয়ে লিখা আছিল আৰু
তেওঁলোকে তেওঁৰ কাৰণে এনে কৰ্ম কৰিছিল। ১৭ যেতিয়া যীচুৱে
লাজাৰক মৈদামৰ পৰা উঠি আহিবলৈ কৈছিল আৰু তেওঁক মৃত লোকৰ
মাজৰ পৰা জীৱিত কৰি তুলিছিল, সেই সময়ত যি সকল লোক
তেওঁৰ লগত আছিল, তেওঁলোকে এই বিষয়ে আন লোকৰ আগত
সাক্ষ্য দিবলৈ ধৰিলে। ১৮ এই কাৰণে লোক সকলে তেওঁক দেখা
কৰিবলৈ আহিল, কিয়নো তেওঁলোকে শুনিছিল যে, এই আচৰিত
কাৰ্যবোৰ তেওঁ কৰিছে। ১৯ তাতে ফৰীচী সকলে ইজনে সিজনৰ
মাজত কোৱা-কুই কৰি ক'লে, "তোমালোকে দেখিলা, আমাৰ সকলো
চেষ্টা ব্যৰ্থ হল৷ চোৱা, গোটেই জগত খনে তেওঁৰ পাছত গ'ল।" ২০
সেই সময়ত নিস্তাৰ পৰ্ব উপলক্ষে উপাসনা কৰিবৰ বাবে লোক সকল
যিৰূচালেমলৈ আহিছিল, তেওঁলোকৰ মাজত কেইজনমান গ্ৰীক মানুহ
আছিল। ২১ তেওঁলোকে গালীল দেশৰ বৈৎ-চৈদা গাওঁৰ পৰা ফিলিপৰ
ওচৰলৈ আহি অনুৰোধ কৰি ক'লে, "হে মহাশয়, আমি যীচুক চাবলৈ
ইচ্ছা কৰোঁ।" ২২ ফিলিপে আহি আন্দ্ৰিয়ক এই কথা ক'লে; তেতিয়া
আন্দ্ৰিয়ই ফিলিপে সৈতে আহি যীচুক জনালে। ২৩ যীচুৱে উত্তৰ দি
তেওঁলোকক ক'লে, "মানুহৰ পুত্ৰ মহিমান্বিত হ'বৰ সময় হৈছে। ২৪
মই তোমালোকক অতি স্বৰূপকৈ কওঁ, ধানৰ গুটি এটি যদি মাটিত পৰি
মৰি নাযায়, তাতে সি অকল এটা গুটি হৈয়েই থাকে; কিন্তু যদি মৰে,
তেনেহলে তাত অনেক গুটি ধৰে। ২৫ যি কোনোৱে নিজৰ জীৱনক
প্ৰেম কৰে, তেওঁ তাক হেৰুৱাই আৰু যি কোনোৱে এই জগতত নিজৰ
জীৱনক প্ৰেম নকৰে, তেওঁ অনন্ত জীৱনলৈ তাক ৰক্ষা কৰে। **(aiōnios
g166)** ২৬ কোনোৱে যদি মোৰ পৰিচৰ্যা কৰিব খোজে, তেনেহলে
তেওঁ মোৰ পাছে পাছে আহক; তাতে মই যি ঠাইত থাকোঁ, মোৰ
সেৱক জনো সেই ঠাইতে থাকিব; কোনোৱে যদি মোৰ সেৱা কৰে,
তেনেহলে মোৰ পিতৃয়ে তেওঁক সমাদৰ কৰিব। ২৭ এতিয়া মোৰ প্ৰাণ
ব্যাকুল হৈছে আৰু মই কি ক'ম? হে পিতৃ, এই সময়ৰ পৰা মোক
ৰক্ষা কৰা, ইয়াকে ক'ম নে? কিন্তু এই কাৰণেহে মই এই সময়লৈ
আহিলোঁ। ২৮ হে পিতৃ, তোমাৰ নাম মহিমান্বিত কৰা৷" তেতিয়া

স্বৰ্গৰ পৰা এটা বাণী আহিল আৰু ক'লে, “মই মহিমান্বিত কৰিলোঁ,
আকৌ মহিমান্বিত কৰিম”। ২৯ তেতিয়া তাতে লোক সকল থিয় হৈ
আছিল আৰু তেওঁলোকে ইয়াক মেঘ-গৰ্জন বুলি কলে; কিছুমানে কলে,
“স্বৰ্গৰ দূতে তেওঁৰ সৈতে কথা ক'লে।” ৩০ যীচুৱে উত্তৰ দি ক'লে,
“মোৰ কাৰণে এই বাণী হোৱা নাই, তোমালোকৰ কাৰণেহে এই বাণী
হ'ল। ৩১ এতিয়া এই জগতৰ সোধ-বিচাৰ হৈছে; এতিয়া এই জগতৰ
অধিকাৰীক বাহিৰ কৰা হ'ব; ৩২ আৰু মই পৃথিৱীৰ পৰা উত্তোলিত
হ'লে, সকলোকে মোৰ ওচৰলৈ আকৰ্ষণ কৰিম।” ৩৩ তেওঁৰ মৃত্যু
কেনে ধৰণে হব, সেই বিষয়ে বুজাবলৈ তেওঁ এই কথা ক'লে। ৩৪
তাতে লোক সকলে তেওঁক উত্তৰ দি কলে, “আমি বিধান-শাস্ত্ৰত
শুনিছোঁ, খ্ৰীষ্ট চিৰকাল থাকিব; তেনেহলে এনে কথা আপুনি কেনেকৈ
কৈছে যে, ‘মানুহৰ পুত্ৰ উত্তোলিত হব? মানুহৰ পুত্ৰ নো কোন’?”
**(aiōn g165)** ৩৫ তেতিয়া যীচুৱে তেওঁলোকক ক'লে, “তোমালোকৰ
মাজত এতিয়াও অলপ কাল পোহৰ আছে। যেতিয়ালৈকে পোহৰ
আছে, আগবাঢ়ি থাকা; যাতে আন্ধাৰে তোমালোকক পাছ নেপেলাই।
যি জন আন্ধাৰত ফুৰে, তেওঁ ক'লৈ যায় সেই বিষয়ে নাজানে। ৩৬
যেতিয়ালৈ পোহৰ আছে, তেতিয়ালৈকে পোহৰৰ ওপৰত বিশ্বাস ৰাখা;
যাতে তোমালোক পোহৰৰ সন্তান হোৱা।” যীচুৱে এই সকলো কথা
কৈ তেওঁলোকৰ ওচৰৰ পৰা গৈ নিজক লুকুৱালে। ৩৭ সেই কথা সিদ্ধ
হ'বলৈ, তেওঁ তেওঁলোকৰ আগত বহুত আচৰিত কৰ্ম কৰিলে, কিন্তু
তেওঁলোকে তেওঁত বিশ্বাস নকৰিলে; ৩৮ যাতে যিচয়া ভাববাদীৰ
সেই কথাষাৰ যেন সম্পূৰ্ণ হয়, কিয়নো তেওঁ কৈছিল, “হে প্ৰভু, আমি
কোৱা সংবাদ কোনে বিশ্বাস কৰিলে? আৰু প্ৰভুৰ বাহুবল কাৰ আগত
প্ৰকাশিত হ'ব?” ৩৯ কাৰণ এই বিষয়ে তেওঁলোকে বিশ্বাস নকৰিলে,
যিচয়াই আকৌ তেওঁলোকক কৈছিল, ৪০ “তেওঁ তেওঁলোকৰ চকু অন্ধ
কৰিলে আৰু তেওঁলোকৰ অন্তৰ কঠোৰ কৰিলে, নহ'লে তেওঁলোকে
নিজ চকুৰে দেখিলেহেঁতেন আৰু হৃদয়েৰে নিজকে বুজিলেহেঁতেন
আৰু ঘূৰিলেহেঁতেন আৰু মই তেওঁলোকক সুস্থ কৰিলোঁহেতেন।”
৪১ এইদৰে যিচয়াই এই বিষয়ে ক'লে, কাৰণ যীচুৰ গৌৰৱ তেওঁ

দেখিছিল আৰু সেয়েহে তেওঁ কৈছিল। ৪২ তথাপি শাসনকর্তা সকলৰ
মাজৰ অনেকে যীচুত বিশ্বাস কৰিলে; কিন্তু তেওঁলোকক নাম-ঘৰৰ
পৰা নিষিদ্ধ কৰাৰ ভয়তে ফৰীচী সকলৰ কাৰণে তেওঁলোকে স্বীকাৰ
নকৰিলে; ৪৩ কিয়নো তেওঁলোকে ঈশ্বৰৰ পৰা পোৱা প্ৰশংসা তকৈ
মানুহৰ পৰা পোৱা প্ৰশংসাক বেছি প্ৰেম কৰিছিল। ৪৪ যীচুৱে অতি
উচ্চস্বৰে ক'লে, "যি কোনোৱে মোক বিশ্বাস কৰে, তেওঁ মোক নহয়,
কিন্তু মোক পঠাৱা জনকহে বিশ্বাস কৰে। ৪৫ আৰু যি কোনোৱে মোক
দেখে, তেওঁ মোক পঠোৱা জনকেই দেখে। ৪৬ মই এই জগতলৈ
পোহৰ হৈ আহিছোঁ, গতিকে যি কোনোৱে মোক বিশ্বাস কৰে, তেওঁ
যেন আন্ধাৰত নাথাকে। ৪৭ কোনোৱে মোৰ কথা শুনিও যদি পালন
নকৰে, তথাপি মই তেওঁৰ সোধ-বিচাৰ নকৰোঁ; কিয়নো মই জগতৰ
সোধ-বিচাৰ কৰিবলৈ অহা নাই; কিন্তু জগতৰ পৰিত্ৰাণ কৰিবলৈহে
আহিলোঁ। ৪৮ যি কোনোৱে মোক অগ্ৰাহ্য কৰে, আৰু মোৰ কথাও
গ্ৰহণ নকৰে, তেওঁৰ সোধ-বিচাৰ কৰোঁতা এজন আছে, আৰু মই যি
বাৰ্তা দিছোঁ শেষৰ দিনা সেই বাৰ্তাই তেওঁৰ সোধ-বিচাৰ কৰিব। ৪৯
কিয়নো মই নিজৰ পৰা এই কথা কোৱা নাই; কিন্তু মোক পঠোৱা
পিতৃয়ে মই কি কব লাগে, আৰু কেনেদৰে কব লাগিব, এই বিষয়ে
মোক আজ্ঞা কৰিলে। ৫০ মই জানো যে, তেওঁৰ আজ্ঞাত অনন্ত জীৱন
আছে; এই হেতুকে মই যি যি কথা কওঁ, পিতৃয়ে মোক কোৱাৰ দৰেই
কওঁ।" **(aiōnios g166)**

**১৩** ইহুদী সকলৰ নিস্তাৰ-পৰ্বৰ পূৰ্বে যীচুৱে জানিব পাৰিলে, যে
এই জগতৰ পৰা পিতৃৰ ওচৰলৈ তেওঁৰ যোৱাৰ সময় ওচৰ চাপি
আহিছে; সেয়েহে জগতত থকা নিজৰ লোক সকলক সকলো সময়তে
প্ৰেম কৰি তেওঁলোকক শেষলৈকে প্ৰকৃত প্ৰেমৰ প্ৰমাণ দিলে। ২
তেওঁলোকৰ ৰাতিৰ আহাৰ খোৱাৰ সময় হ'ল; ইতিমধ্যে চয়তানে
যীচুক বিশ্বাসঘাতকতা কৰিবলৈ চিমোনৰ পুত্ৰ ঈষ্কৰিয়োতীয়া যিহূদাৰ
মনত কু-বুদ্ধি সুমুৱাই দিলে। ৩ যীচুৱে জানিছিল যে, পিতৃয়ে তেওঁক
সকলো বস্তুৰ ওপৰত ক্ষমতা দিছে; তেওঁ ঈশ্বৰৰ পৰা আহিছে আৰু
পুনৰাই তেওঁ ঈশ্বৰৰ ওচৰলৈ উভতি যাব। ৪ তেওঁ ৰাতি আহাৰ খোৱা

ঠাইৰ পৰা উঠি আহিল আৰু গাত লোৱা কাপোৰ খন থৈ, এখন গামোচা
ললে আৰু নিজৰ কঁকাল বান্ধিলে, ৫ তাৰ পাছত চৰিয়াত পানী বাকি
লৈ তেওঁ শিষ্য সকলৰ ভৰি ধুৱাবলৈ ধৰিলে আৰু কঁকালত বান্ধি লোৱা
গামোচাৰে তেওঁলোকৰ ভৰি মচিলে। ৬ তাতে তেওঁ চিমোন পিতৰৰ
ওচৰলৈ অহাত, পিতৰে তেওঁক ক'লে, "হে প্ৰভু আপুনি মোৰ ভৰি
ধুৱাব নে?" ৭ যীচুৱে উত্তৰ দি তেওঁক ক'লে, "মই কি কৰিছোঁ তুমি
এতিয়া বুজি নাপাবা; কিন্তু এই বিষয়ে পাছত বুজি পাবা।" ৮ পিতৰে
তেওঁক ক'লে "আপুনি মোৰ ভৰি কেতিয়াও নুধুৱাব।" যীচুৱে উত্তৰ
দিলে, "যদি তোমাৰ ভৰি নুধুৱাওঁ, তেনেহলে মোৰে সৈতে তোমাৰ
একো সম্পৰ্ক নাই।" (aiōn g165) ৯ তেতিয়া চিমোন পিতৰে তেওঁক
ক'লে, "হে প্ৰভু, মোৰ অকল ভৰি ধুই দিয়াই নহয়, কিন্তু মোৰ হাত
আৰু মূৰো ধুৱাওক।" ১০ যীচুৱে তেওঁক ক'লে, "গা ধোৱা লোকৰ
ভৰি ধোৱাৰ বাহিৰে, আন একো ধুবৰ প্ৰয়োজন নাই; কিয়নো তেওঁৰ
গোটেই শৰীৰ পৰিষ্কাৰ আছে। তোমালোকো পৰিষ্কাৰ হৈ আছা,
কিন্তু সকলোৱেই নহয়।" ১১ কোনে তেওঁক বিশ্বাসঘাতকতা কৰিব,
সেই বিষয়ে যীচুৱে জানিছিল; এই কাৰণে তেওঁ ক'লে, "তোমালোক
সকলো নিৰ্মল নহয়।" ১২ যীচুৱে তেওঁলোকৰ ভৰি ধুৱাই উঠি, নিজৰ
পিন্ধা কাপোৰ লৈ আকৌ বহিল; পাছত তেওঁ তেওঁলোকক ক'লে,
"তোমালোকৰ কাৰণে মই যি কৰিলোঁ, সেই বিষয়ে তোমালোকে
বুজিলা নে? ১৩ তোমালোকে যে মোক 'গুৰু' আৰু 'প্ৰভু' বুলি মাতিছা,
সেয়া ঠিকেই কৰিছা; কিয়নো মই সেয়েই হওঁ। ১৪ এতেকে প্ৰভু
আৰু গুৰু যি মই; মই যদি তোমালোকৰ ভৰি ধুৱালোঁ, তেনেহলে
তোমালোকেও ইজনে সিজনৰ ভৰি ধুই দিয়া উচিত। ১৫ কিয়নো মই
তোমালোকলৈ যি দৰে কৰিলোঁ, তোমালোকেও যেন সেইদৰে কৰা,
এই কাৰণে তোমালোকক আৰ্হি দেখুৱালোঁ। ১৬ মই তোমালোকক
অতি স্বৰূপকৈ কওঁ, নিজ গৰাকীতকৈ দাস ডাঙৰ নহয়; আৰু যি
জনে পঠালে সেই জনতকৈ পঠোৱা বাৰ্তাবাহক জন ডাঙৰ নহয়। ১৭
তোমালোকে এই সকলোবোৰ পালন কৰা; এইবোৰ পালন কৰিলে,
তোমালোক আশীৰ্বাদৰ ভাগী হবা। ১৮ তোমালোকৰ সকলোৰে

বাবে এই বিষয়ে কথা কৈছোঁ এনে নহয়; কিন্তু যি সকলক মই
জানো তেওঁলোককহে মনোনীত কৰিলোঁ, তেওঁলোকক জানো; কিন্তু
ধৰ্মশাস্ত্ৰৰ বচন সিদ্ধ হ'বলৈ; 'যি জনে মোৰ পিঠা খায়, সেই জনে
মোৰ বিৰুদ্ধে গেৰুৱা দাঙিলে।' ১৯ এইদৰে যেতিয়া ঘটিব, তেতিয়া
ময়েই যে সেই জন হয়, ইয়াক তোমালোকে যেন বিশ্বাস কৰা, এই
কাৰণে ঘটাৰ আগেয়ে, মই এতিয়াৰ পৰা তোমালোকক কৈ আছোঁ।
২০ মই তোমালোকক অতি স্বৰূপকৈ কওঁ, মই যি জনক পঠাই দিওঁ,
তেওঁক যি কোনাৱে গ্ৰহণ কৰে; তেওঁ মোকেই গ্ৰহণ কৰে আৰু যি
কোনোৱে মোক গ্ৰহণ কৰে, তেওঁ মোক পঠোৱা জনকেই গ্ৰহণ কৰে।"
২১ এই কথা কৈ, যীচুৱে আত্মাত বিৰক্তি পাই সাক্ষ্য দি ক'লে, "মই
তোমালোকক অতি সঁচাকৈ কওঁ, তোমালোকৰ মাজৰ এজনেই মোক
বিশ্বাসঘাতকতা কৰিব৷" ২২ শিষ্য সকলে ইজনে সিজনৰ মুখলৈ চাব
ধৰিলে, কিন্তু কোন জনৰ বিষয়ে এই কথা ক'লে, সেই বিষয়ে নজনাৰ
বাবে তেওঁলোক আচৰিত হ'ল। ২৩ যীচুৰ শিষ্য সকলৰ মাজৰ এজনক
তেওঁ বহুত প্ৰেম কৰিছিল সেই শিষ্য জনে মেজৰ কাষত হেলনীয়া
হৈ পৰি যীচুৰ বুকুৰ কাষতে আছিল৷ ২৪ তেতিয়া চিমোন পিতৰে
ইঙ্গিত দি সেই শিষ্য জনক ক'লে, "তেওঁ কাৰ বিষয়ে এই কথা কৈছে,
সোধাচোন"? ২৫ তেতিয়া তেওঁ যীচুৰ বুকুলৈ হাউলি গৈ সুধিলে, "হে
প্ৰভু, সেই জন নো কোন?" ২৬ যীচুৱে উত্তৰ দিলে, "মই যি জনক এই
পিঠা ডোখৰ ভাঙি জুবুৰিয়াই ভগাই দিম, তেৱেঁই সেই জন।" তেতিয়া
তেওঁ পিঠা ডোখৰ জুবুৰিয়াই লৈ, ঈষ্কৰিয়োতীয়া চিমোনৰ পুতেক
যিহূদাক দিলে। ২৭ সেই পিঠা ডোখৰ পোৱাৰ পাছতেই, চয়তান
তেওঁৰ ভিতৰ সোমাল। তেতিয়া যীচুৱে তেওঁক ক'লে, "তুমি যি কাম
কৰিবলৈ লৈছা, সেই কাম বেগতে কৰা।" ২৮ কিন্তু তেওঁ কিয় এই
কথা ক'লে, সেই বিষয়ে তেওঁৰ লগত মেজত ভোজন কৰিবলৈ বহা
লোক সকলৰ কোনেও বুজি পোৱা নাছিল৷ ২৯ কিয়নো কিছুমানে
ভাবিলে যে, যিহূদাৰ লগত ধনৰ জোলোঙা থকাৰ কাৰণে, 'পৰ্বলৈ
যি যি লাগে সেইবোৰ কিনিবলৈ নাইবা দৰিদ্ৰ সকলক কোনো বস্তু
দিবলৈ' যীচুৱে তেওঁক এই কথা ক'লে, । ৩০ তাতে তেওঁ সেই পিঠা

ডোখৰ গ্ৰহণ কৰি, তেতিয়াই বাহিৰলৈ গ'ল। সেই সময়, নিশাৰ সময়
আছিল। ৩১ যেতিয়া সেই ঠাইৰ পৰা যিহূদা বাহিৰলৈ ওলাই গ'ল,
যীচুৱে ক'লে, "এতিয়া মানুহৰ পুত্ৰ মহিমান্বিত হ'ল, ঈশ্বৰো তেওঁৰ
যোগেদি মহিমান্বিত হ'ল৷ ৩২ ঈশ্বৰ যদি তেওঁৰ যোগেদি মহিমান্বিত
হ'ল, তেতিয়া ঈশ্বৰেও পুত্ৰক নিজৰ যোগেদি মহিমান্বিত কৰিব, তেওঁ
তৎক্ষণাৎতেই কৰিব।" ৩৩ মোৰ প্ৰিয় সন্তান সকল, তোমালোকৰ
লগত মই অলপ সময়হে আছোঁ। তোমালোকে মোক বিচাৰিবা; কিন্তু
ইহুদী সকলক যেনেকৈ কৈছিলোঁ যে, 'মই যি ঠাইলৈ যাওঁ, সেই
ঠাইলৈ তোমালোকে যাব নোৱাৰা', তেনেকৈ এতিয়া তোমালোককো
কৈছোঁ। ৩৪ মই তোমালোকক এটা নতুন আজ্ঞা দিওঁ, তোমালোকে
পৰস্পৰে প্ৰেম কৰিবা; মই যেনেকৈ তোমালোকক প্ৰেম কৰিলোঁ,
তেনেকৈ তোমালোকেও পৰস্পৰে প্ৰেম কৰিবা। ৩৫ তোমালোকৰ
যদি পৰস্পৰৰ মাজত প্ৰেম থাকে, তেনেহলে তোমালোক যে মোৰ
শিষ্য হয়, ইয়াক তাৰ দ্বাৰাই সকলোৱে জানিব।" ৩৬ চিমোন পিতৰে
তেওঁক সুধিলে, "হে প্ৰভু, আপুনি ক'লৈ যায়?" যীচুৱে উত্তৰ দি ক'লে,
"মই য'লৈ যাওঁ, তালৈ তুমি এতিয়া মোৰ পাছে পাছে আহিব নোৱাৰা;
কিন্তু পাছত তুমি মোৰ পাছে পাছে আহিবা।" ৩৭ পিতৰে তেওঁক
ক'লে, "হে প্ৰভু, এতিয়াই নো কি কাৰণে আপোনাৰ পাছে পাছে যাব
নোৱাৰো? মই আপোনাৰ কাৰণে মোৰ প্ৰাণকো দিম।" ৩৮ যীচুৱে
উত্তৰ দি ক'লে, "মোৰ কাৰণে তোমাৰ প্ৰাণ দিবা নে? মই তোমাক
অতি স্বৰূপকৈ কওঁ, তুমি মোক দোকমোকালিতে কুকুৰাই ডাক দিয়াৰ
আগেয়ে তিনি বাৰ অস্বীকাৰ কৰিবা।"

**১৪** "তোমালোকৰ হৃদয় ব্যাকুল নহওক৷ ঈশ্বৰত বিশ্বাস কৰা আৰু
মোকো বিশ্বাস কৰা। ২ মোৰ পিতৃৰ ঘৰত অনেক থকা ঠাই আছে; আৰু
নথকা হ'লে তোমালোকক ক'লোহেঁতেন; কিয়নো মই তোমালোকলৈ
ঠাই যুগুত কৰিবলৈ যাওঁ। ৩ যদি মই যাওঁ আৰু তোমালোকলৈ ঠাই
যুগুত কৰোঁ, তেনেহলে মই যি ঠাইত থাকোঁ, তোমালোকো সেই
ঠাইতে থাকিবলৈ পাবা, এই কাৰণে মই আকৌ আহি তোমালোকক
মোৰ ওচৰলৈ লৈ যাম। ৪ মই যি ঠাইলৈ যাওঁ, তোমালোকে তাৰ

বাট জানা।” ৫ থোমাই যীচুক ক’লে, “হে প্ৰভু, আপুনি ক’লৈ যায়,
তাকেই আমি নাজানো; তেনেহলে বাট নো আমি কেনেকৈ জানিম?”
৬ যীচুৱে তেওঁক ক’লে, “ময়েই বাট, সত্য আৰু জীৱন; মোৰ যোগেদি
নগ’লে, পিতৃৰ ওচৰলৈ কোনো নাযাব নোৱাৰে। ৭ তোমালোকে
মোক জনা হ’লে, মোৰ পিতৃকো জানিলাহেঁতেন; এতিয়াৰ পৰা
তোমালোকে তেওঁক জানিছা আৰু দেখিছাও।” ৮ ফিলিপে যীচুক
ক’লে, “হে প্ৰভু, পিতৃক আমাক দেখুৱাওঁক, সেয়ে আমালৈ যথেষ্ট
হ’ব”। ৯ যীচুৱে ক’লে, “হে ফিলিপ, তোমালোকৰ সৈতে ইমান দিন
থকাতো তুমি মোক চিনি পোৱা নাই নে? যি জনে মোক দেখিলে,
তেওঁ মোৰ পিতৃকেই দেখিলে; ইয়াৰ পাছতো পিতৃক দেখুৱাওঁক বুলি
কেনেকৈ কব পাৰিলা?” ১০ “মই যে পিতৃত আছোঁ আৰু পিতৃও যে
মোৰ লগত আছে, ইয়াক তুমি বিশ্বাস নকৰা নে? মই যি যি কথা
তোমালোকক কওঁ, সেইবোৰ নিজৰ পৰা নকওঁ; কিন্তু পিতৃয়ে মোৰ
লগত থাকি তেওঁৰ কাৰ্যবোৰ সম্পন্ন কৰে। ১১ মই যে পিতৃত আছোঁ,
আৰু পিতৃও যে মোৰ লগত আছে, মোৰ এই কথাতে বিশ্বাস কৰা;
নাইবা মই কৰা কাৰ্যবোৰৰ কাৰণে মোক বিশ্বাস কৰা। ১২ মই
তোমালোকক অতি স্বৰূপকৈ কওঁ, মই যি যি কাৰ্য কৰোঁ, মোক বিশ্বাস
কৰা জনেও তেনেকুৱা কাৰ্য কৰিব আৰু তাতকৈয়ো মহৎ মহৎ কাৰ্য
কৰিব; কিয়নো মই পিতৃৰ ওচৰলৈ যাওঁ। ১৩ তোমালোকে মোৰ
নামেৰে যিহকে খুজিবা, মই তাকে পূৰ্ণ কৰিম; তাতে পিতা, পুত্ৰৰ
দ্বাৰাই যেন মহিমান্বিত হয়। ১৪ তোমালোকে মোৰ নামেৰে যদি কিবা
খোজা, তেনেহলে সেয়া মই পূৰ্ণ কৰিম। ১৫ তোমালোকে যদি মোক
প্ৰেম কৰা, তেনেহলে মোৰ আজ্ঞাবোৰ পালন কৰিবা। ১৬ আৰু মই
পিতৃৰ ওচৰত প্ৰাৰ্থনা কৰিম, তেওঁ যাতে তোমালোকক আন এজন
সহায়কৰ্তা দিয়ে আৰু তেওঁ যেন চিৰকাল তোমালোকৰ লগত থাকে।
(aiōn g165) ১৭ সেই সত্যৰ আত্মাক জগতে গ্ৰহণ কৰিব নোৱাৰে;
কিয়নো জগতে তেওঁক নেদেখে আৰু নাজানেও; তোমালোকে হ’লে
তেওঁক জানা; কিয়নো তেওঁ তোমালোকৰ সঙ্গে সঙ্গে থাকে আৰু তেওঁ
তোমালোকৰ মাজত থাকিব। ১৮ মই তোমালোকক অনাথকৈ এৰি

নাযাওঁ; মই তোমালোকৰ ওচৰলৈ আকৌ আহিম। ১৯ অলপ সময়ৰ
পাছত জগতে মোক পূণৰ দেখিবলৈ নাপায়, কিন্তু তোমালোকে হ'লে
মোক দেখা পাবা; কাৰণ মই জীয়াই আছোঁ বাবে তোমালোকো জীয়াই
থাকিবা। ২০ সেইদিনা তোমালোকে জানিবা যে, মই পিতৃত আছোঁ
আৰু তোমালোকো মোত আছা, ময়ো তোমালোকত আছোঁ। ২১ যি
জনে মোৰ আজ্ঞা পাই পালন কৰে, সেই জনে মোক প্ৰেম কৰে;
আৰু যি জনে মোক প্ৰেম কৰে, সেই জন মোৰ পিতৃৰ প্ৰেমৰ পাত্ৰ
হ'ব আৰু ময়ো সেই জনক প্ৰেম কৰি, তেওঁৰ আগত নিজকে প্ৰকাশ
কৰিম।" ২২ তেতিয়া ঈষ্কৰিয়োতীয়া নহয়, আন যিহুদাই তেওঁক
ক'লে, "হে প্ৰভু, কিনো হ'ল যে, আপুনি জগতৰ আগত প্ৰকাশিত
নহয়, কিন্তু আমাৰ আগত নিজকে প্ৰকাশ কৰিব?" ২৩ যীচুৱে উত্তৰ
দি তেওঁক ক'লে, "কোনোৱে যদি মোক প্ৰেম কৰে, তেনেহলে তেওঁ
মোৰ বাক্য পালন কৰিব; মোৰ পিতৃয়ে তেওঁক প্ৰেম কৰিব, আৰু আমি
তেওঁৰ ওচৰলৈ আহি, তেওঁৰে সৈতে নিবাস কৰিম। ২৪ যি জনে মোক
প্ৰেম নকৰে, সেই জনে মোৰ বাক্যও পালন নকৰে; আৰু যি বাক্য
তোমালোকে শুনিবলৈ পাইছা, সেই বাক্য মোৰ নহয়, কিন্তু মোক
পঠোৱা পিতৃৰহে। ২৫ মই তোমালোকৰ লগত থাকোতেই, এইবোৰ
কথা তোমালোকক ক'লো; ২৬ কিন্তু সেই সহায়কৰ্তা পবিত্ৰ আত্মা, যি
জনক পিতৃয়ে মোৰ নামেৰে পঠিয়াব, তেওঁ তোমালোকক সকলো
শিক্ষা দিব আৰু মই তোমালোকক যি যি কৈছোঁ, এই আটাই কথা
তোমালোকক সোঁৱৰাব। ২৭ মই তোমালোকলৈ শান্তি এৰি যাওঁ, মোৰ
শান্তি তোমালোকক দিওঁ; জগতে যেনেকৈ দিয়ে মই তেনেকৈ নিদিওঁ।
তোমালোকৰ হৃদয় ব্যাকুল নহওক, আৰু ভয়াতুৰো নহওক। ২৮ মই
তোমালোকক যি দৰে ক'লো, সেই বিষয়ে তোমালোকে শুনিলা, মই
গৈ তোমালোকৰ ওচৰলৈ পুনৰ আহিম৷ তোমালোকে যদি মোক প্ৰেম
কৰা, তেনেহ'লে মই পিতৃ ওচৰলৈ যাব ওলোৱাৰ কাৰণে তোমালোকে
আনন্দ কৰিলাহেঁতেন; কিয়নো পিতৃ মোতকৈ মহান। ২৯ এইবোৰ ঘটা
কালত তোমালোকে যেন বিশ্বাস কৰা, এই কাৰণে ঘটাৰ আগেয়ে, মই
তোমালোকক এইবোৰ কথা ক'লোঁ। ৩০ তোমালোকৰ সৈতে মই

অধিক কথা এতিয়া নহ’ম, কিয়নো জগতৰ অধিকাৰী আহিছে; আৰু
মোৰ ওচৰত তাৰ একো নাই। ৩১ কিন্তু মই যে পিতৃক প্ৰেম কৰোঁ,
আৰু পিতৃয়ে মোক দিয়া আজ্ঞাবোৰ মই যে পালন কৰোঁ, এই বিষয়ে
জগতে জানিবলৈ; এতিয়া উঠা, আমি ইয়াৰ পৰা যাওঁহক।”

**১৫** “ময়েই প্ৰকৃত দ্ৰাক্ষালতা; মোৰ পিতৃ খেতিয়ক ২ গুচাই পেলায়
আৰু যি যি ডালত গুটি ধৰে; সেইবোৰ ডালত পুনৰ অধিক গুটি
ধৰিবলৈ তেওঁ পৰিষ্কাৰ কৰি দিয়ে। ৩ মই তোমালোকক কোৱা
শিক্ষাৰ যোগেদি তোমালোক এতিয়া পৰিষ্কৃত হৈছা। ৪ তোমালোক
মোত সংযুক্ত হৈ থাকা, ময়ো তোমালোকৰ সৈতে সংযুক্ত হৈ থাকিম।
দ্ৰাক্ষালতাত লাগি নাথাকিলে, ডালত যেনেকৈ গুটি ধৰিব নোৱাৰে,
তেনেকৈ মোৰ লগত নাথাকিলে, তোমালোকে ফলবন্ত হব নোৱাৰিবা।
৫ ময়েই দ্ৰাক্ষালতা, তোমালোক ডাল; যি জন মোৰ লগত থাকে
আৰু ময়ো যি জনত থাকোঁ, সেই জন বহু ফলৱান হয়; কিয়নো
মোৰ বাহিৰে তোমালোকে একো কৰিব নোৱাৰা। ৬ কোনোৱে যদি
মোৰ লগত নাথাকে, তেনেহ’লে তেওঁক শুকান ডালৰ দৰে বাহিৰলৈ
পেলোৱাত, সি শুকাই যায় আৰু সেইবোৰ গোটাই জুইত পেলাই
দিয়া হয়, তাতে সেইবোৰ পোৰা যায়। ৭ তোমালোক যদি মোত
থাকা আৰু মোৰ শিক্ষাও যদি তোমালোকত থাকে, তেনেহ’লে যি
ইচ্ছা কৰা, তাকে খোজা, সেয়াই তোমালোকলৈ কৰা হব। ৮ ইয়াতে
মোৰ পিতৃ মহিমান্বিত হয়, তোমালোকে অধিক ফল ধৰি নিজকে
প্ৰমাণ কৰা যে, তোমালোক মোৰ প্ৰকৃত শিষ্য। ৯ পিতৃয়ে যেনেকৈ
মোক প্ৰেম কৰিলে, ময়ো তোমালোকক তেনেকৈ প্ৰেম কৰিলোঁ;
তোমালোকে মোৰ প্ৰেমতে থাকা। ১০ যদি মোৰ আজ্ঞা পালন কৰা,
তেনেহলে, মই যেনেকৈ পিতৃৰ আজ্ঞা পালন কৰি, তেওঁৰ প্ৰেমত
থাকোঁ; তোমালোকো তেনেকৈ তেওঁৰ প্ৰেমতে থাকিবা। ১১ মোৰ
আনন্দ তোমালোকত যেন থাকে আৰু তোমালোকৰ আনন্দ যেন
সম্পূৰ্ণ হয়, এই কাৰণে তোমালোকক এইবোৰ কথা মই ক’লোঁ। ১২
এই মোৰ আজ্ঞা, মই যেনেকৈ তোমালোকক প্ৰেম কৰিলোঁ, তেনেকৈ
তোমালোকেও পৰস্পৰে প্ৰেম কৰিবা। ১৩ বন্ধুৰ বাবে নিজৰ প্ৰাণ

দিয়াৰ দৰে শ্ৰেষ্ঠ প্ৰেম আন ক'তো নাই। ১৪ তোমালোকক মই যি যি
আজ্ঞা দিওঁ, সেইবোৰ যদি পালন কৰা, তেনেহলে তোমালোক মোৰ
বন্ধু। ১৫ এতিয়াৰ পৰা মই তোমালোকক দাস বুলি নকওঁ, কিয়নো
প্ৰভুৱে যি কৰে দাসে সেই বিষয়ে নাজানে। মই তোমালোকক বন্ধু
বুলি কওঁ, কিয়নো মোৰ পিতৃৰ পৰা যি যি শুনিলোঁ; সেই বিষয়বোৰ
তোমালোকক জনালোঁ। ১৬ তোমালোকে যে মোক মনোনীত কৰিলা
এনে নহয়, মইহে তোমালোকক মনোনীত কৰিলোঁ; আৰু তোমালোক
যেন ফলৱন্ত হোৱা, তাতে তোমালোকৰ ফল যেন স্থায়ী হয়। মোৰ
নামেৰে পিতৃৰ আগত যি খুজিবা, সেয়াই তেওঁ তোমালোকক দিব,
এই কাৰণে তোমালোকক নিযুক্ত কৰিলোঁ। ১৭ মই তোমালোকক
এইবোৰ আজ্ঞা দিছোঁ, তোমালোকে পৰস্পৰে ইজনে সিজনক প্ৰেম
কৰিবা। ১৮ জগতে যদি তোমালোকক ঘৃণা কৰে, তেনেহলে জানিব
লাগে যে তোমালোকক ঘৃণা কৰাৰ পূৰ্বে মোকেই ঘৃণা কৰিলে। ১৯
তোমালোক জগতৰ হোৱা হ'লে, জগতে তোমালোকক নিজৰ লোকৰ
দৰে প্ৰেম কৰিলেহেঁতেন; কিন্তু তোমালোক জগতৰ নোহোৱা। মই
তোমালোকক জগতৰ মাজৰ পৰা মনোনীত কৰিলোঁ, এই কাৰণে
জগতে তোমালোকক ঘৃণা কৰে। ২০ মই তোমালোকক যি শিক্ষা
দিলোঁ সেই বিষয়ে সোঁৱৰণ কৰা, 'এজন দাস তেওঁৰ গৰাকীতকৈ
ডাঙৰ নহয়।' তেওঁলোকে যদি মোক তাড়না কৰিলে, তেনেহলে
তোমালোককো তাড়না কৰিব; মোৰ বাক্য যদি পালন কৰে, তেনেহলে
তোমালোকৰ বাক্যও পালন কৰিব। ২১ কিন্তু যি জনে মোক পঠিয়ালে,
তেওঁক তেওঁলোকে নজনাৰ কাৰণে, মোৰ নামৰ কাৰণে তোমালোকক
এইদৰে কৰিব। ২২ মই আহি তেওঁলোকক কথা নোকোৱা হ'লে,
তেওঁলোকৰ পাপ নহ'লহেঁতেন; কিন্তু এতিয়া পাপৰ বিষয়ে আপত্তি
দৰ্শাবলৈ তেওঁলোকৰ কোনো উপায় নাই। ২৩ যি জনে মোক ঘৃণা,
সেই জনে মোৰ পিতৃকো ঘৃণা কৰে। ২৪ যি কৰ্ম আন কোনোৱে
কেতিয়াও কৰা নাই, মই তেওঁলোকৰ মাজত তেনে কৰ্ম নকৰা হ'লে,
তেওঁলোকৰ পাপ নহলহেঁতেন; কিন্তু এতিয়া মোক আৰু মোৰ পিতৃৰ
কৰ্মবোৰক তেওঁলোকে দেখিলে, তথাপি তেওঁলোকে আমাক ঘৃণা

কৰিলে। ২৫ বিধান-শাস্ত্ৰৰ এই বাক্য পূৰ্ণ হবলৈ, এই সকলো ঘটিল;
যেনেদৰে তেওঁলোকৰ শাস্ত্ৰত লিখা আছে, ‘কোনো কাৰণ নোহোৱাতো
তেওঁলোকে মোক ঘৃণা কৰিলে’। ২৬ কিন্তু পিতৃৰ পৰা ওলোৱা সেই
সহায়কৰ্তা আহিব, সেই অগ্ৰসৰ হোৱা সত্যৰ আত্মাক মই যেতিয়া
তোমালোকলৈ পঠাম, তেতিয়া তেওঁ মোৰ বিষয়ে সাক্ষ্য দিব। ২৭
তোমালোক আদিৰে পৰা মোৰ লগত থকাৰ কাৰণে, তোমালোকেও
সাক্ষ্য দিবা।”

**১৬** “মই তোমালোকক এই সকলোবোৰ কথা এই কাৰণে কলোঁ,
যাতে তোমালোকৰ নিজৰ বিশ্বাসত বিঘিনি নজন্মে৷ ২ মানুহবোৰে
নাম-ঘৰৰ পৰা তোমালোকক বাহিৰ কৰিব, সেই কালত তোমালোকক
বধ কৰোঁতা প্ৰতিজনে ঈশ্বৰৰ সেৱা কৰিছোঁ বুলি ভাবিব, এনে কাল
আহি আছে। ৩ তেওঁলোকে মোৰ পিতৃক আৰু মোক নজনাৰ কাৰণে
এনে কৰ্মবোৰ কৰিব। ৪ কিন্তু যেতিয়া সেই সময় আহিব, তেতিয়া
মই কোৱা কথাবোৰ তোমালোকে যেন সোঁৱৰিবা, এই কাৰণে মই
এইবোৰ কথা এতিয়া তোমালোকক ক’লোঁ। মই তোমালোকৰ লগত
থকাৰ কাৰণে, এইবোৰ কথা আৰম্ভণিৰে পৰা কোৱা নাছিলোঁ। ৫
কিন্তু যি জনে মোক পঠিয়াইছে, এতিয়া মই তেওঁৰ ওচৰলৈ ঘুৰি
যাওঁ; তথাপি তোমালোকৰ কোনেও মোক এইদৰে সুধিব নিবিচৰা,
‘তুমি নো কলৈ গৈ আছা’? ৬ কিন্তু মই তোমালোকক এইবোৰ কথা
কোৱা কাৰণে, তোমালোকৰ হৃদয় বেজাৰেৰে ভৰি পৰিছে। ৭ তথাপি,
মই তোমালোকক সঁচাকৈ কৈছোঁ; মই যোৱাই তোমালোকৰ পক্ষে
ভাল, কিয়নো মই নগ’লে, তোমালোকৰ ওচৰলৈ সেই সহায়কৰ্তা
নাহিব; কিন্তু মই গ’লে তোমালোকৰ ওচৰলৈ তেওঁক পঠিয়াই দিম। ৮
তেওঁ যেতিয়া আহিব, তেওঁ পাপৰ বিষয়ে, ধাৰ্মিকতাৰ বিষয়ে আৰু
সোধ-বিচাৰৰ বিষয়ে, জগতক দোষৰ প্ৰমাণ দিব। ৯ তেওঁ পাপৰ
সম্পৰ্কত চেতনা দিব, কিয়নো তেওঁলোকে মোক বিশ্বাস নকৰে; ১০
ধাৰ্মিকতাৰ বিষয়ে বুজাব, কিয়নো মই এতিয়া পিতৃৰ ওচৰলৈ যাওঁ,
তোমালোকে মোক এতিয়া দেখিবলৈ নাপাবা; ১১ আৰু সোধ-বিচাৰৰ
বিষয়ে চেতনা দিব, কিয়নো এই জগতৰ অধিকাৰীৰ সোধ-বিচাৰ

কৰা হ’ল। ১২ তোমালোকক ক’বলৈ মোৰ অনেক কথা আছে, কিন্তু
সেই কথা এতিয়া গ্ৰহণ কৰিবলৈ অতিৰিক্ত হব। ১৩ কিন্তু সেই সত্যৰ
আত্মা যেতিয়া আহিব, তেতিয়া তেওঁ আটাই সত্যলৈ তোমালোকক
পথ দেখুৱাই নিব; কিয়নো তেওঁ নিজৰ পৰা একো কথা নক’ব; কিন্তু
যি কথা শুনিব, সেই বিষয়েহে ক’ব আৰু তোমালোকক ভৱিষ্যতৰ কথা
জনাব। ১৪ তেওঁ মোক মহিমান্বিত কৰিব; কিয়নো মোৰ যি আছে,
তেওঁ তাৰ পৰা লৈ, তোমালোকক জনাব। ১৫ পিতৃৰ যি যি আছে,
সেই সকলো মোৰ; এই হেতুকে মই ক’লোঁ, সত্যৰ আত্মাই মোৰ
পৰা সকলো গ্ৰহণ কৰি তোমালোকৰ আগত ঘোষণা কৰিব। ১৬ কিছু
সময়ৰ পাছত তোমালোকে মোক দেখিবলৈ নোপোৱা; কিন্তু আকৌ
অলপ সময়ৰ পাছত, মোক দেখিবলৈ পাবা।” ১৭ তেতিয়া তেওঁৰ শিষ্য
সকলৰ মাজৰ কোনো কোনোৱে পৰস্পৰৰ মাজত আলোচনা কৰি
ক’লে, “তেওঁ আমাক কি কবলৈ বিচাৰিছে, কিছু সময়ৰ পাছত মোক
দেখিবলৈ নোপোৱা; কিন্তু আকৌ অলপ সময়ৰ পাছত মোক দেখিবলৈ
পাবা; ‘কাৰণ মই পিতৃৰ ওচৰলৈ যাওঁ’? তেওঁ এই কথা কিয় কলে
আমি বুজি পোৱা নাই৷” ১৮ এতেকে তেওঁলোকে ক’লে, “তেওঁনো
এইটো কি কৈছে, ‘অলপ সময়’? তেওঁ কি কথা কৈ আছে আমি
নাজানো।” ১৯ যীচুৱে দেখিলে যে তেওঁলোকে তেওঁক সুধিবৰ বাবে
আগ্ৰহী, সেয়েহে মনৰ ভাব বুজি পাই তেওঁলোকক ক’লে, “মই যে
তোমালোকক কলোঁ, ‘কিছু সময়ৰ পাছত তোমালোকে মোক দেখিবলৈ
নোপোৱা, কিন্তু আকৌ অলপ সময়ৰ পাছত মোক দেখিবলৈ পাবা’,
এই কথাৰ ওপৰতে তোমালোকে আলোচনা কৰি আছা নে?” ২০ মই
তোমালোকক সঁচাকৈ কওঁ, তোমালোকে ক্ৰন্দন আৰু বিলাপ কৰিবা,
কিন্তু জগতে আনন্দ কৰিব; তেতিয়া তোমালোকে শোক কৰিবা; কিন্তু
পাছত তোমালোকৰ সেই শোক আনন্দ হৈ যাব। ২১ প্ৰসৱৰ সময়ত
উপস্থিত হোৱাত মহিলাই প্ৰসৱৰ বেদনাত দুখ পায়; কিন্তু সন্তান
ওপজিলেই, জগতলৈ এটি শিশু জন্ম হোৱাৰ আনন্দত, বেছি সময়লৈ
সেই বেদনা তেওঁৰ মনত নাথাকে। ২২ ঠিক সেইদৰে তোমালোকেও
এতিয়া দুখত আছা; কিন্তু মই আকৌ তোমালোকক দেখা দিম; তেতিয়া

তোমালোকৰ হৃদয় আনন্দিত হ'ব আৰু তোমালোকৰ সেই আনন্দ
কোনেও তোমালোকৰ পৰা কাঢ়ি নিব নোৱাৰিব। ২৩ সেইদিনা মোক
একো প্ৰশ্ন নুসুধিবা৷ মই তোমালোকক সঁচাকৈ কওঁ, তোমালোকে মোৰ
নামেৰে পিতৃৰ আগত যদি কিবা খোজা, তেনেহলে তেওঁ তোমালোকক
দিব। ২৪ এতিয়ালৈকে মোৰ নামেৰে তোমালোকে একো খোজা নাই;
খোজা, তেতিয়াহে পাবা, তেতিয়া তোমালোকৰ আনন্দ পৰিপূৰ্ণ হ'ব।
২৫ এইবোৰ কথা উপমাৰে মই তোমালোকক ক'লো, যি সময়ত মই
তোমালোকক উপমা দিব নোৱাৰিম, প্ৰকাশকৈ পিতৃৰ কথা জনাম,
এনে সময় আহিছে। ২৬ সেইদিনা যি খোজা, মোৰ নামেৰে খুজিবা;
আৰু মই তোমালোকক কোৱা নাই যে, মই তোমালোকৰ হৈ পিতৃ
ওচৰত প্ৰাৰ্থনা কৰিম; ২৭ কিয়নো পিতৃয়ে নিজেই তোমালোকক প্ৰেম
কৰে; কাৰণ তোমালোকে মোক প্ৰেম কৰিলা আৰু মই যে পিতৃৰ
পৰা আহিছোঁ, ইয়াকো বিশ্বাস কৰিলা। ২৮ মই পিতৃৰ ওচৰৰ পৰা
জগতলৈ আহিলোঁ; আকৌ জগতক এৰি এতিয়া মই পিতৃৰ ওচৰলৈ
যাওঁ।" ২৯ তেতিয়া তেওঁৰ শিষ্য সকলে ক'লে, "চাওক, আপুনি এতিয়া
স্পষ্টকৈ কব ধৰিছে; আপুনি কোনো কথা অস্পষ্টকৈ কৈ থকা নাই। ৩০
এতিয়া আমি বুজি পালোঁ যে আপুনি সকলো জানে, কোনো ব্যক্তিয়ে
আপোনাক সুধাৰ আগতেই আপুনি তাৰ উত্তৰ দিব পাৰে, আপুনি
যে ঈশ্বৰৰ পৰা আহিছে, ইয়াকে আমি বিশ্বাস কৰিছোঁ। ৩১ যীচুৱে
তেওঁলোকক ক'লে, "এতিয়া বিশ্বাস কৰিছা নে?" ৩২ চোৱা, এনে সময়
আহিছে, আৰু প্ৰকৃতে এনে সময় আহিব, যেতিয়া তোমালোকে নিজ
নিজ সা-সম্পত্তিত গোট গোট হৈ থাকিবা আৰু মোক অকলশৰীয়াকৈ
এৰি যাবা, তথাপি মই অকলশৰীয়া নহওঁ, কিয়নো পিতৃ মোৰ লগত
আছে। ৩৩ এই কাৰণে মই তোমালোকক এইবোৰ কথা ক'লোঁ, যাতে
তোমালোকে মোৰ শান্তি পোৱা৷ জগতত তোমালোকে কষ্ট পাবা; কিন্তু
নিৰ্ভয় হোৱা; মই জগতৰ ওপৰত জয় কৰিলোঁ।"

**১৭** যীচুৱে এইবোৰ কথা কোৱাৰ পাছত, স্বৰ্গলৈ চকু তুলি ক'লে,
"হে পিতৃ, এতিয়া সময় হৈছে; তোমাৰ পুত্ৰক মহিমান্বিত কৰা, যাতে
তোমাৰ পুত্ৰয়ো তোমাক মহিমান্বিত কৰিব পাৰে; ২ যি দৰে সকলোকে

অনন্ত জীৱন দিবলৈ তুমি সকলো মানুহৰ ওপৰত তোমাৰ পুত্ৰক
অধিকাৰ কৰিবলৈ দিলা। **(aiōnios g166)** ৩ এইটোৱে অনন্ত জীৱন;
একমাত্ৰ সত্য ঈশ্বৰ যি তুমি, তোমাক আৰু তুমি পঠোৱা যীচু খ্ৰীষ্টক
তেওঁলোকে যেন জানে। **(aiōnios g166)** ৪ তুমি মোক যি কৰ্ম কৰিবলৈ
দিছিলা, সেয়া মই সিদ্ধ কৰি পৃথিৱীত তোমাক মহিমান্বিত কৰিলোঁ ৫
এতিয়া, হে পিতৃ, তোমাৰ সান্নিধ্যৰে মোক মহিমান্বিত কৰা৷ জগত
সৃষ্টিৰ পূৰ্বে তোমাৰ সৈতে মোৰ যি মহিমা আছিল, সেই মহিমাৰে,
এতিয়া মোক মহিমান্বিত কৰা। ৬ তুমি এই জগতৰ মাজৰ পৰা যি
সকল মানুহক মোক দিলা, সেই সকলৰ আগত মই তোমাৰ নাম
প্ৰকাশ কৰিলোঁ; তেওঁলোক তোমাৰেই আছিল, তুমি তেওঁলোকক
মোক দিলা; আৰু তেওঁলোকে তোমাৰ বাক্য ধৰি ৰাখিছে। ৭ এতিয়া
তেওঁলোকে জানিছে, তুমি মোক যি যি দিছিলা, সেই সকলোৱেই যে,
তোমাৰ কাষৰ পৰাই হৈছে৷ ৮ কিয়নো তুমি যি বাক্য মোক দিলা,
সেই বাক্য মই তেওঁলোকক দিলোঁ আৰু তেওঁলোকে সেই সকলোকে
গ্ৰহণো কৰিলে, মই যে তোমাৰ পৰা আহিলোঁ, ইয়াকো তেওঁলোকে
সঁচাকৈ জানিলে আৰু তুমি যে মোক পঠালা সেয়াও বিশ্বাস কৰিলে।
৯ মই তেওঁলোকৰ কাৰণে প্ৰাৰ্থনা কৰিছোঁ। মই গোটেই জগতৰ
কাৰণে প্ৰাৰ্থনা কৰা নাই, কিন্তু যি সকলক মোক দিলা, তেওঁলোকৰ
কাৰণেহে কৰিছোঁ; কিয়নো তেওঁলোক তোমাৰ৷ ১০ মোৰ সকলো বস্তু
তোমাৰ আৰু যি যি তোমাৰ, সেই সকলোৱেই মোৰ; মই তোমাৰ
যোগেদিয়েই সেইবোৰত মহিমান্বিত হৈছোঁ। ১১ মই এই জগতত
বেছি দিন নাথাকো; কিন্তু এই লোক সকল হ'লে জগতত থাকিব, মই
তোমাৰ ওচৰলৈ যাওঁ। হে পবিত্ৰ পিতৃ, আমি যেনেকৈ এক হৈ আছোঁ,
তোমাৰ নামেৰে মোক দিয়া লোক সকলো যেন তেনেকৈ এক হব
পাৰে৷ ১২ মই তেওঁলোকৰ লগত থকা সময়ত, তুমি যি নাম মোক
দিছা, তোমাৰ সেই নামত মই তেওঁলোকক ৰক্ষা কৰিলোঁ; আৰু মই
তেওঁলোকক পহৰা দিলোঁ; তাতে তেওঁলোকৰ এজনো বিনষ্ট নহ'ল,
কেৱল বিনাশৰ পুত্ৰহে শাস্ত্ৰীয় বচন সিদ্ধ কৰিবলৈ বিনষ্ট হ'ল। ১৩ কিন্তু
এতিয়া মই তোমাৰ ওচৰলৈ আহিছোঁ; এই কাৰণে জগতত থাকোতেই

এইবোৰ কথা কৈছোঁ। মোৰ আনন্দ যেন তেওঁলোকে সম্পূৰ্ণৰূপে পায়।
১৪ মই তোমাৰ বাক্য তেওঁলোকক দিলোঁ; কিন্তু জগতে তেওঁলোকক
ঘৃণা কৰে, কাৰণ তেওঁলোক জগতৰ নহয়; মই যেনেকৈ জগতৰ নহওঁ।
১৫ তেওঁলোকক এই জগতৰ পৰা নিবলৈ মই তোমাক প্ৰাৰ্থনা নকৰোঁ,
কিন্তু তুমি তেওঁলোকক চয়তানৰ পৰা ৰক্ষা কৰা। ১৬ তেওঁলোক
জগতৰ নহয়, মই যেনেকৈ জগতৰ নহওঁ। ১৭ তোমাৰ বাক্যই সত্য;
সত্যতাৰে তোমাৰ সেৱা কৰিবলৈ তেওঁলোকক পবিত্ৰ কৰা। ১৮ তুমি
যেনেকৈ মোক জগতলৈ পঠালা, ময়ো তেনেকৈ তেওঁলোকক জগতলৈ
পঠালোঁ। ১৯ তেওঁলোকৰ কাৰণে মই নিজকে পবিত্ৰ কৰিছোঁ, যাতে
তেওঁলোকো সত্য ৰূপে পবিত্ৰ হব পাৰে। ২০ মই কেৱল এওঁলোকৰ
কাৰণে প্ৰাৰ্থনা নকৰোঁ, কিন্তু এওঁলোকৰ বাক্যৰ দ্বাৰাই মোক বিশ্বাস
কৰা সকলোৰে কাৰণে প্ৰাৰ্থনা কৰোঁ, ২১ গতিকে তেওঁলোক যেন
সকলোৱে এক হয়; হে পিতৃ, তুমি যেনেকৈ মোৰ লগত আছা, তেনেকৈ
ময়ো তোমাৰ লগত আছোঁ, তেনেকৈ তেওঁলোকেও যেন আমাৰ লগত
থাকে, তাতে জগতে যেন বিশ্বাস কৰে তুমি যে মোক পঠিয়ালা। ২২
আৰু তুমি মোক যি মহিমা দিলা, সেই মহিমা ময়ো তেওঁলোকক
দিলোঁ, সেই কাৰণে তেওঁলোক এক; আমি সকলোৱেই যেন এক হব
পাৰোঁ, ২৩ তাৰ বাবে মই তেওঁলোকত আৰু তুমি মোৰ লগত থাকিবা,
এইদৰে তেওঁলোক যেন সম্পূৰ্ণকৈ এক হয়, জগতে যাতে জানে তুমি
মোক পঠিয়াইছা, আৰু তুমি যেনেকৈ মোক প্ৰেম কৰিলা, তেনেকৈ
তেওঁলোককো প্ৰেম কৰা। ২৪ হে পিতৃ, মই বিচাৰো, তুমি মোক
যি দিছা, যি ঠাইত মই আছোঁ, তেওঁলোকো যেন মোৰ লগত সেই
ঠাইত থাকে, তুমি যি মহিমা মোক দিছা সেই মহিমা যেন তেওঁলোকে
দেখিবলৈ পায়; কাৰণ জগত স্থাপন কৰাৰ পূৰ্বেই তুমি মোক প্ৰেম
কৰিলা। ২৫ হে ন্যায়ৱান পিতৃ, জগতে তোমাক নাজানিলে, কিন্তু মই
তোমাক জানিলোঁ; আৰু তুমি যে মোক পঠালা, সেয়া তেওঁলোকেও
জানিলে। ২৬ তুমি কোন হয়, সেই বিষয়ে মই তেওঁলোকৰ ওচৰত
প্ৰকাশ কৰিছোঁ, আৰু ইয়াৰ পাছতো মই ইয়াকে কৰি থাকিম, তেতিয়া

তুমি মোক যেনে প্ৰেম কৰা, তেওঁলোকেও একেদৰে আন লোকক
প্ৰেম কৰিব আৰু মই তেওঁলোকৰ লগত থাকিম।

১৮ যীচুৱে এইবোৰ কথা কৈ, কিদ্ৰোণ উপত্যকাৰ সিপাৰে য'ত
এখন বাগিছা আছিল, সেই ঠাইলৈ তেওঁ শিষ্য সকলৰ সৈতে তালৈ
ওলাই গ'ল; আৰু সেই বাগিচাত তেওঁ আৰু তেওঁৰ শিষ্য সকল সোমাল।
২ শত্ৰুৰ হাতত শোধাই দিয়া যিহূদায় সেই ঠাই চিনি পাইছিল; কিয়নো
যীচুৱে তেওঁৰ শিষ্য সকলক লগত লৈ বহুত বাৰ সেই ঠাইলৈ গৈছিল।
৩ তেতিয়া যিহূদায় প্ৰধান পুৰোহিত, ফৰীচী সকলৰ বিষয়া আৰু সৈন্যৰ
দল এটাৰ সৈতে জোঁৰ, আৰিয়া আৰু অস্ত্ৰ-শস্ত্ৰ লৈ, সেই ঠাইত উপস্থিত
হ'ল। ৪ তেতিয়া যীচুৱে, তেওঁৰ প্ৰতি কি ঘটিবলৈ গৈ আছে সেই
বিষয়ে আগেয়ে জনাৰ বাবে, তেওঁলোকৰ আগলৈ ওলাই গৈ তেওঁ
সুধিলে, “তোমালোকে কোন জনক বিচাৰিছা?” ৫ তেওঁলোকে উত্তৰ
দিলে, “নাচৰতীয়া যীচুক।” যীচুৱে তেওঁলোকক ক'লে, “ময়েই সেই
জন।” তেওঁক শত্ৰুৰ হাতত শোধাই দিয়া যিহূদাও তেওঁলোকৰ সৈতে
থিয় হৈ আছিল। ৬ যেতিয়া তেওঁ তেওঁলোকক ক'লে, “ময়েই সেই
জন”, তেতিয়া তেওঁলোক পাছ হুঁহকি আহিল আৰু মাটিত পৰি গ'ল। ৭
তেতিয়া তেওঁ তেওঁলোকক আকৌ সুধিলে, “তোমালোকে কোন জনক
বিচাৰিছা?” তেওঁলোকে ক'লে, “নাচৰতীয়া যীচুক।” ৮ যীচুৱে উত্তৰ
দিলে, “মই তোমালোকক কৈছোঁ, ময়েই সেই জন; এতেকে যদি মোক
বিচাৰিছা, তেনেহলে এওঁলোকক যাবলৈ দিয়া।” ৯ তেওঁ আগেয়ে
কোৱা কথা সম্পূৰ্ণ হবলৈ এইবোৰ ঘটিল। তেওঁ কৈছিল, “মোক যি
সকলক দিলা, তেওঁলোকৰ এজনকো মই হেৰুওৱা নাই।” ১০ তেতিয়া
চিমোন পিতৰৰ, এখন তৰোৱাল আছিল, তেওঁ সেই তৰোৱাল ফাঁকৰ
পৰা উলিয়াই, মহা-পুৰোহিতৰ দাসক ঘাপ মাৰি, তাৰ সোঁ কাণ খন
কাটি পেলালে। সেই দাসৰ নাম আছিল ‘মল্ক’। ১১ তেতিয়া যীচুৱে
পিতৰক ক'লে, “তৰোৱাল ফাকত সুমুৱাই থোৱা; পিতৃয়ে মোক যি
দূখৰ পান-পাত্ৰ দিলে, মই তাতে পান নকৰিম নে?” ১২ তেতিয়া সৈন্য
দল আৰু তেওঁলোকৰ সেনাপতি আৰু ইহুদী সকলৰ ৰখীয়াবোৰে
যীচুক ধৰি বান্ধি, ১৩ প্ৰথমতে হাননৰ ওচৰলৈ লৈ গ'ল; কিয়নো তেওঁ

সেই বছৰত মহা-পুৰোহিত হোৱা কায়াফাৰ শহুৰেক আছিল। ১৪ এই
কায়াফাই ইহুদী সকলক পৰামৰ্শ দিছিল যে, ‘লোক সকলৰ কাৰণে
এজন মানুহ মৰা ভাল’। ১৫ তেতিয়া চিমোন পিতৰ আৰু আন এজন
শিষ্য যীচুৰ পাছে পাছে গ’ল। সেই শিষ্যৰ মহা-পুৰোহিতৰ সৈতে
চিনাকি থকা বাবে যীচুৰে সৈতে মহা-পুৰোহিতৰ চোতাললৈ সোমাই
গ’ল। ১৬ কিন্তু পিতৰ দুৱাৰৰ বাহিৰত থিয় হৈ থাকিল। এই হেতুকে
মহা-পুৰোহিতৰ চিনাকি সেই আন শিষ্যই আকৌ বাহিৰলৈ আহি,
দুৱৰী মহিলা গৰাকীক কৈ, পিতৰক ভিতৰলৈ আনিলে। ১৭ তাতে
সেই দুৱৰী মহিলা গৰাকীয়ে পিতৰক ক’লে, “তুমিও এই মানুহ জনৰ
শিষ্য সকলৰ মাজৰ এজন নহয় নে?” তেওঁ ক’লে, “মই নহয়।” ১৮
সেই ঠাইতে দাস আৰু ৰক্ষকবোৰে ঠাণ্ডাৰ কাৰণে জুই জ্বলাইছিল আৰু
থিয় হৈ জুই পুৱাই আছিল; পিতৰেও সিহঁতৰ লগত থিয় হৈ জুই পুৱাই
আছিল। ১৯ তেতিয়া মহা-পুৰোহিতে যীচুক, তেওঁৰ শিষ্য সকলৰ
বিষয়ে আৰু শিক্ষাৰ বিষয়ে সুধিলে। ২০ যীচুৱে তেওঁক উত্তৰ দি ক’লে,
“মই জগতৰ আগত মুকলিকৈ ক’লোঁ; মই নাম-ঘৰত আৰু মন্দিৰত,
ইহুদী সকলৰ গোট খোৱা ঠাইত সদায় শিক্ষা দিলোঁ আৰু কেতিয়াও
গুপুতে একো কোৱা নাই। ২১ আপোনালোকে মোক কিয় সুধি আছে?
তেওঁলোকক সোধক যি সকলে মোৰ কথা শুনিলে; তেওঁলোকক মই
কি ক’লো, সেই বিষয়ে তেওঁলোকে জানে।” ২২ যীচুৱে এইবোৰ কথা
কোৱাত, ওচৰত থিয় হৈ থকা টেকেলাবোৰৰ মাজৰ এজনে যীচুক চৰ
মাৰিলে আৰু ক’লে, “এনে ধৰণৰ উত্তৰ মহা-পুৰোহিতক কিয় দিছা?”
২৩ যীচুৱে তেওঁক উত্তৰ দিলে, “যদি মই কিবা অন্যায় কথা কৈছোঁ,
তেতিয়াহলে অন্যায় কথাৰ প্ৰমাণ দিয়া; কিন্তু যদি মই সঠিক কথা
কৈছোঁ, তেনেহলে মোক কিয় মাৰিছা?” ২৪ তাৰ পাছত হাননে যীচুক,
মহা-পুৰোহিত কায়াফাৰ ওচৰলৈ পঠাই দিলে, যীচুক তেতিয়া বান্ধি
থোৱা আছিল। ২৫ তাতে চিমোন পিতৰে থিয় হৈ জুই পুৱাই আছিল।
তাত থকা মানুহবোৰে তেওঁক সুধিলে, “তুমিও তেওঁৰ শিষ্য সকলৰ
মাজৰ এজন নহয় নে?” তেওঁ অস্বীকাৰ কৰি ক’লে, “মই নহয়।” ২৬
মহা-পুৰোহিতৰ এজন দাসে, যি জনৰ কাণ পিতৰে কাটি পেলাইছিল,

তেওঁৰ সমন্ধীয় এজনে ক'লে, "মই তোমাক তেওঁৰ লগত বাগিছাত
দেখা নাছিলো নে?" ২৭ তেতিয়া পিতৰে আকৌ অস্বীকাৰ কৰিলে;
আৰু সেই সময়তে তৎক্ষণাত কুকুৰাই ডাক দিলে। ২৮ ইয়াৰ পাছত
তেওঁলোকে যীচুক কায়াফাৰ ঘৰৰ পৰা প্ৰিটৰিয়মলৈ লৈ গ'ল; তেতিয়া
সময় ৰাতিপুৱা আছিল; তেওঁলোকে নিজেই প্ৰিটৰিয়ামৰ ভিতৰত
সোমাবলৈ মন নকৰিলে, জানোছা তেওঁলোক অশুচি হৈ পৰে, কিয়নো
তেওঁলোকে নিস্তাৰ-পৰ্বৰ ভোজ খাবলৈ আশা কৰি আছিল৷ ২৯ এতেকে
পীলাতে বাহিৰলৈ গৈ তেওঁলোকক সুধিলে, "তোমালোকে এই মানুহ
জনৰ বিপক্ষে কি গোচৰ আনিছা?" ৩০ তেওঁলোকে উত্তৰ দি পীলাতক
ক'লে, "এই লোক জন দুষ্কৰ্ম্মী নোহোৱা হ'লে, আপোনাৰ হাতত এওঁক
শোধাই নিদিলোহেঁতেন।" ৩১ তেতিয়া পীলাতে তেওঁলোকক ক'লে,
"এওঁক লৈ যোৱা তোমালোকৰ বিধানৰ মতে তেওঁৰ সোধ-বিচাৰ
কৰা।" ইহুদী সকলে তেওঁক ক'লে, "কাকো প্ৰাণদণ্ড দিবলৈ বিধান
অনুসৰি আমাৰ ক্ষমতা নাই।" ৩২ কিদৰে তেওঁৰ মৃত্যু হব এই বিষয়ে
যীচুৱে যি কথা ইঙ্গিত দিছিল, সেই ধৰণৰে মৰিবলৈ এই ইঙ্গিত সিদ্ধ
হ'বলৈ এনে হ'ল। ৩৩ এতেকে পীলাতে আকৌ প্ৰিটৰিয়মৰ ভিতৰলৈ
সোমাই গৈ, যীচুক সুধিলে "তুমি ইহুদী সকলৰ ৰজা নে?" ৩৪ যীচুৱে
উত্তৰ দিলে, "তুমি নিজেই এই কথা সুধিছা নে নাইবা অন্য লোকে
মোৰ বিষয়ে তোমাক এই কথা সুধিবলৈ ক'লে?" ৩৫ পীলাতে উত্তৰ
দিলে, "মই জানো ইহুদী মানুহ? তোমাৰ নিজৰ জাতিৰ লোক আৰু
প্ৰধান পুৰোহিত সকলে মোৰ হাতত তোমাক শোধাই দিলে; তুমি কি
কৰ্ম কৰিলা?" ৩৬ যীচুৱে উত্তৰ দিলে, "মোৰ ৰাজ্য এই জগতৰ নহয়;
মোৰ ৰাজ্য এই জগতৰ হোৱা হ'লে ইহুদী সকলৰ হাতত যাতে মোক
শোধাই দিব নোৱাৰে তাৰ কাৰণে মোৰ সেৱক সকলে মোক ৰক্ষা
কৰিবলৈ প্ৰাণপণে যুদ্ধ কৰিলেহেঁতেন; কিন্তু এতিয়া মোৰ ৰাজ্য ইয়াত
নহয়।" ৩৭ তেতিয়া পীলাতে তেওঁক ক'লে, "তেনেহলে তুমি ৰজা
নে?" যীচুৱে উত্তৰ দিলে, "মই যে ৰজা হওঁ, ইয়াক তুমিয়েই কৈছা।
সত্যতাৰ পক্ষে সাক্ষ্য দিবলৈ মই জন্ম ধৰি এই জগতলৈ আহিলোঁ। যি
কোনোৱে এই সত্যৰ পক্ষত আছে, তেওঁলোকে মোৰ কথা শুনে৷" ৩৮

পীলাতে তেওঁক ক'লে, "সত্য নো কি?" এই কথা সুধি তেওঁ পুনৰ
বাহিৰত থকা ইহুদী সকলৰ ওচৰলৈ গৈ তেওঁলোকক ক'লে, "মই এই
মানুহ জনৰ একো দোষ দেখা পোৱা নাই৷ ৩৯ তোমালোকৰ এটা নিয়ম
আছে, সেই নিয়ম অনুসাৰে নিস্তাৰ-পৰ্বৰ সময়ত মই তোমালোকলৈ
এজনক এৰি দিব লাগে, তোমালোকৰ যদি ইচ্ছা হয়, তেনেহলে মই
তোমালোকলৈ ইহুদী সকলৰ ৰজাক এৰি দিম নে?" ৪০ তেতিয়া
তেওঁলোকে আকৌ আটাহ পাৰি ক'লে, "এই মানুহ জনক নহয় কিন্তু
বাৰাব্বাক এৰি দিয়ক।" সেই 'বাৰাব্বা' এজন ডকাইত আছিল।

**১৯** তেতিয়া পীলাতে যীচুক চাবুকেৰে কোবাবলৈ আদেশ দিলে। ২
তাৰ পাছত সৈন্য সকলে কাঁইটেৰে কিৰীটি সাজি যীচুৰ মূৰত দি,
বেঙেনা কাপোৰ পিন্ধালে; ৩ ইয়াৰ পাছত তেওঁৰ ওচৰলৈ আহি
কবলৈ ধৰিলে, "অভিনন্দন, হে ইহুদী সকলৰ ৰজা, জয় হওক!"
এইদৰে কৈ তেওঁক চৰ মাৰিবলৈ ধৰিলে। ৪ পীলাতে আকৌ বাহিৰলৈ
গৈ মানুহবোৰক ক'লে, "চোৱা, মই এওঁত একো দোষ নাপালোঁ
আৰু সেয়েহে তোমালোকে জানিবৰ কাৰণে, এওঁক তোমালোকৰ
সন্মুখলৈ উলিয়াই আনিছো।" ৫ এনেতে যীচুক কাঁইটৰ কিৰীটি আৰু
উজ্বল বৰণীয়া কাপোৰ পিন্ধাই বাহিৰলৈ উলিয়াই আনিলে৷ পীলাতে
তেওঁলোকক ক'লে "চোৱা, এই জনেই সেই মানুহ!" ৬ তেতিয়া প্ৰধান
পুৰোহিত আৰু তেওঁলোকৰ বিষয়া সকলে যীচুক দেখি, আটাহ পাৰি
ক'লে, "ক্ৰুচত দিয়ক, ক্ৰুচত দিয়ক"। পীলাতে তেওঁলোকক ক'লে,
"তোমালোকে নিজে এওঁক নি ক্ৰুচত দিয়াগৈ; কিয়নো মই এওঁত
একো দোষ নাপালোঁ।" ৭ ইহুদী সকলে পীলাতক উত্তৰ দিলে, "আমাৰ
এক বিধান আছে, সেই বিধানৰ মতে তাৰ প্ৰাণদণ্ড হোৱা উচিত;
কিয়নো সি নিজকে নিজে ঈশ্বৰৰ পুত্ৰ বুলি দাবী কৰে।" ৮ তেতিয়া
পীলাতে এই কথা শুনি বৰ ভয় পালে, ৯ তেওঁ প্ৰিটৰিয়মৰ ভিতৰলৈ
সোমাই যীচুক আকৌ সুধিলে, "তুমি ক'ৰ পৰা আহিছা?" কিন্তু যীচুৱে
তেওঁক একো উত্তৰ নিদিলে৷ ১০ তেতিয়া পীলাতে তেওঁক ক'লে, "তুমি
মোক একো কথা নোকোৱা নে? তোমাক যে এৰি দিবলৈ মোৰ ক্ষমতা
আছে আৰু তোমাক ক্ৰুচত দিবলৈকো মোৰ ক্ষমতা আছে, ইয়াক তুমি

নাজানা নেকি?" ১১ যীচুৱে তেওঁক উত্তৰ দিলে, "ওপৰৰ পৰা ক্ষমতা
নিদিয়া হ'লে, মোৰ বিৰুদ্ধে তোমাৰ একো ক্ষমতা নহ'লহেঁতেন; এই
কাৰণে, যি জনে তোমাৰ হাতত মোক শোধাই দিলে; তেওঁৰেই পাপ
গুৰুতৰ।" ১২ এই উত্তৰ শুনি পীলাতে তেওঁক এৰি দিবলৈ উপায়
বিচাৰিলে; কিন্তু ইহুদী সকলে আটাহ পাৰি ক'লে, "যদি এওঁক এৰি
দিয়ে, তেনেহলে আপুনি চীজাৰৰ বন্ধু নহয়; যি কোনোৱে নিজকে
নিজে ৰজা পাতে, তেওঁ চীজাৰৰ বিৰুদ্ধে কথা কয়।" ১৩ এইবোৰ কথা
শুনি, পীলাতে যীচুক পুনৰ বাহিৰলৈ অনালে, আৰু ইব্ৰী ভাষাৰে যাক
গব্বথা বোলে, এনে শিলপতা নামেৰে ঠাইত সোধ-বিচাৰ কৰিবলৈ
বিচাৰৰ আসনত বহিল। ১৪ তেতিয়া নিস্তাৰ-পৰ্বৰ আয়োজনৰ দিনৰ
প্ৰায় বাৰটা বজাৰ সময় হৈছিল আৰু পীলাতে ইহুদী সকলক ক'লে,
"চোৱা, এয়া তোমালোকৰ ৰজা" ১৫ তেতিয়া তেওঁলোকে আটাহ পাৰি
ক'লে, "দূৰ কৰক, দূৰ কৰক, ক্ৰুচত দিয়ক"। পীলাতে তেওঁলোকক
ক'লে, তোমালোকৰ ৰজাক নো ক্ৰুচত দিম নে? প্ৰধান পুৰোহিত
সকলে উত্তৰ দিলে, "চীজাৰৰ বাহিৰে আমাৰ আন ৰজা নাই।" ১৬
তেতিয়া পীলাতে যীচুক ক্ৰুচত দিবলৈ, তেওঁলোকৰ হাতত শোধাই
দিলে। ১৭ তাৰ পাছত তেওঁলোকে যীচুক বাহিৰলৈ লৈ আহিল আৰু
নিজৰ কাৰণে ক্ৰুচৰ ভাৰ বৈ, ইব্ৰী ভাষাৰে যাক গলগথা বোলে, এনে
মূৰৰ লাউখোলা নামেৰে ঠাইলৈ লৈ গ'ল। ১৮ সেই ঠাইতে তেওঁলোকে
যীচুক ক্ৰুচত দিলে৷ তেওঁৰ লগত আন দুজনক মানুহক দুইকাষে ৰাখি
যীচুক মাজত ক্ৰুচত দিলে। ১৯ পীলাতে এখন জাননী লিখি ক্ৰুচত
ওপৰত লগাই দিলে। তাত এই কথা লিখা আছিল, "নাচৰতীয়া যীচু,
ইহুদী সকলৰ ৰজা৷" ২০ এই জাননী ইব্ৰী, ৰোমীয়া আৰু গ্ৰীক ভাষাৰে
লিখা আছিল; আৰু যীচুক ক্ৰুচত দিয়া ঠাই নগৰৰ ওচৰ হোৱাত, ইহুদী
সকলৰ বহুলোকে সেই জাননী খন পঢ়িলে। ২১ এই কাৰণে ইহুদী
সকলৰ প্ৰধান পুৰোহিত সকলে পীলাতক ক'লে, "ইহুদী সকলৰ ৰজা"
এই কথা নিলিখিব; কিন্তু 'মই ইহুদী সকলৰ ৰজা, এই বুলি এওঁ
কৈছিল', ইয়াকে লিখক।" ২২ পীলাতে উত্তৰ দিলে, "মই যি লিখিলোঁ,
লিখিলোঁৱেই"। ২৩ পাছত সৈন্য সকলে যীচুক ক্ৰুচত দিলে, তেওঁৰ

পিন্ধা কাপোৰ চাৰি ভাগ কৰি, গাইপতি এভাগ এভাগ ল’লে; আৰু
তেওঁৰ চোলাও ল’লে। সেই চোলা সিয়নি নোহোৱাকৈ ওপৰৰে পৰা
গোটেইটো বোৱা আছিল। ২৪ এই কাৰণে তেওঁলোকে পৰস্পৰে
ক’লে, “এইটো চোলা আমি ফালি নেপেলাও, কিন্তু এইটো পাবৰ বাবে
চিঠি খেলোৱা হওক৷” শাস্ত্ৰীয় বচন সিদ্ধ হবলৈ এনে হ’ল৷ “তেওঁলোকে
নিজৰ মাজত মোৰ পিন্ধা কাপোৰ ভাগ-বাঁটি ল’লো. ইয়াক নাফালি
কোনে পাব চিঠি খেলালো৷” ২৫ এতেকে সৈন্য সকলে এইবোৰ কৰ্ম
কৰিলে। যীচুৰ ক্ৰুচৰ ওচৰতে তেওঁৰ মাক, মাকৰ ভনীয়েক, ক্লোপাৰ
তিৰোতা মৰিয়ম, আৰু মগ্দলীনী মৰিয়ম থিয় হৈ আছিল। ২৬ যেতিয়া
যীচুৱে তেওঁৰ মাক আৰু যি শিষ্যক তেওঁ প্ৰেম কৰিছিল, সেই শিষ্য
ওচৰত থিয় হৈ থকা দেখিলে, তেতিয়া তেওঁ মাকক ক’লে, “হে নাৰী,
চোৱা, তোমাৰ পুত্ৰ”! ২৭ তেতিয়া তেওঁ সেই শিষ্যকো ক’লে, “চোৱা,
সৌৱা তোমাৰ মাতৃ”! সেই সময়ৰে পৰা সেই জন শিষ্যই তেওঁক
নিজৰ ঘৰলৈ লৈ গ’ল। ২৮ ইয়াৰ পাছত যীচুৱে বুজিলে যে সকলো
কৰ্ম এতিয়া শেষ হ’ল; সেয়েহে শাস্ত্ৰীয় বচন সিদ্ধ হ’বৰ কাৰণে ক’লে,
“মোৰ পিয়াহ লাগিছে”। ২৯ সেই ঠাইত চিৰকাৰে পূৰ হোৱা এটা
পাত্ৰ আছিল; তাতে তেওঁলোকে চিৰকাৰে পূৰ হোৱা স্পঞ্জ এডোখৰ
এচোব এডালত লগাই, তেওঁৰ মুখত দিলে। ৩০ তাতে যীচুৱে সেই
চিৰকা পাই ক’লে, “সিদ্ধ হ’ল”; তাৰ পাছত তেওঁ মূৰ দোৱাই আত্মা
অৰ্পণ কৰিলে। ৩১ সেইদিন আয়োজনদিন হোৱাত, বিশ্ৰামবাৰত দেহ
ক্ৰুচৰ ওপৰত নাথাকে, (সেই বিশ্ৰামবাৰ দিনটো এটা বিশেষ দিন
বা বৰ-দিন আছিল, কিয়নো সেইদিনা নিস্তাৰপৰ্বৰ দিনো আছিল),
এই কাৰণে তেওঁলোকৰ ভৰি ভাঙি, দেহ তললৈ নমাবৰ বাবে ইহুদী
সকলে পীলাতৰ ওচৰত গৈ সুধিলে। ৩২ তাতে সৈন্য সকলে আহি,
যীচুৰ লগত ক্ৰুচত দিয়া, প্ৰথম আৰু দ্বিতীয় জনৰো ভৰি ভাঙিলে।
৩৩ কিন্তু যেতিয়া যীচুৰ ওচৰলৈ আহিল, তেতিয়া তেওঁৰ মৃত্যু হোৱা
দেখি, ভৰি নাভাঙিলো৷ ৩৪ তথাপি সৈন্য সকলৰ এজনে বৰছাৰে
খোঁচ মাৰি তেওঁৰ কোষ হানিলে; আৰু তেতিয়াই তাৰ পৰা তেজ আৰু
পানী ওলাই আহিল। ৩৫ এই ঘটনা যি জনে দেখিলে সেই জনে আহি

এই বিষয়ে সাক্ষ্য দিলে, তেওঁৰ সাক্ষ্য সত্য; আৰু তেওঁ জানে যে
তেওঁ সত্য কথা কৈছে, এই কাৰণে তোমালোকেও যেন বিশ্বাস কৰা।
৩৬ কিয়নো 'তেওঁৰ এডাল হাড়ো ভঙা নহব', ধৰ্মশাস্ত্ৰৰ এই বচন
সিদ্ধ হ'বলৈহে, এই সকলো ঘটনা ঘটিল। ৩৭ ধৰ্মশাস্ত্ৰই পুনৰ আন
এঠাইত কৈছে, 'তেওঁলোকে যি জনক বিন্ধিলে, সেই জনলৈকে দৃষ্টি
কৰিব'। ৩৮ ইয়াৰ পাছত অৰিমাথিয়া নগৰৰ যোচেফ নামেৰে যীচুৰ
এজন শিষ্যই, যি জন ইহুদী সকলৰ ভয়ত গোপনে আছিল, সেই জনে
যীচুৰ দেহ নিবৰ বাবে পীলাতৰ ওচৰত গৈ সুধিলে; তাতে পীলাতে
অনুমতি দিয়াত, তেওঁ গৈ যীচুৰ দেহটো নমাই লৈ গ'ল। ৩৯ তেওঁৰ
লগত নীকদীমো আহিছিল, এই জনে প্ৰথম বাৰ ৰাতি যীচুক চাবলৈ
তেওঁৰ ওচৰলৈ গৈছিল, তেৰোঁ আহি গন্ধৰস মিহলি কৰা প্ৰায় চৌত্ৰিশ
কিলোগ্ৰাম সুগন্ধি আনিলে। ৪০ এইদৰে তেওঁলোকে যীচুৰ দেহ লৈ,
ইহুদী সকলৰ মৈদামত থোৱা ৰীতি অনুসৰি সেই সুগন্ধি সানি শণ
সূতাৰ মিহি কাপোৰেৰে মেৰিয়াই তেওঁক মৈদামত থলে৷ ৪১ আৰু যি
ঠাইত যীচুক ক্ৰুচত দিয়া হৈছিল, সেই ঠাইতে এখন বাগিচা আছিল;
সেই বাগিচাতে কেতিয়াও কোনো লোকক নোথোৱা, এনে এটা নতুন
মৈদামো আছিল। ৪২ কাৰণ সেইদিনা ইহুদী সকলৰ আয়োজনদিন
হোৱাত, সেই মৈদাম ওচৰত থকা কাৰণে, তেওঁলোকে তাতে যীচুক
শুৱাই থলে।

২০ সপ্তাহৰ প্ৰথম দিনা অতি ৰাতিপুৱা, আন্ধাৰ থাকোতেই, মগ্দলীনী
মৰিয়মে মৈদামৰ ওচৰত গৈ, মৈদামৰ পৰা শিলচটা আতৰাই থোৱা
দেখিলে। ২ তাতে তেওঁ দৌৰ মাৰি, চিমোন পিতৰ আৰু যীচুৰ প্ৰিয়
সেই আন শিষ্যৰ ওচৰলৈ গৈ, তেওঁলোকক ক'লে, কোনোবাই প্ৰভুক
মৈদামৰ পৰা নিলে; কিন্তু তেওঁক ক'ত থলে, সেই বিষয়ে আমি
নাজানো। ৩ তাতে পিতৰ আৰু সেই আন শিষ্য সকল বাহিৰলৈ ওলাই
আহি মৈদামৰ ওচৰলৈ গ'ল। ৪ তেওঁলোক দুয়ো একেলগে দৌৰি গ'ল,
কিন্তু অন্য শিষ্য জন পিতৰক পাছ পেলাই আগত দৌৰি গৈ প্ৰথমে
মৈদামৰ ওচৰ পালে; ৫ আৰু তেওঁলোকে চাপৰি চাই, পৰি থকা শণ
সূতাৰ মিহি কাপোৰ দেখিলে, কিন্তু মৈদামৰ ভিতৰলৈ নোসোমাল। ৬

তাতে চিমোন পিতৰে তেওঁৰ পাছে পাছে আহি মৈদামত সোমাল, আৰু
দেখিলে যে, শণ সূতাৰ মিহি কাপোৰ কেইখন সেই ঠাইতে পৰি আছে,
৭ কিন্তু যি গামোচা তেওঁৰ মূৰত আছিল, সেই গামোচা সেইবোৰ
কাপোৰৰ লগত নাই, সুকীয়াকৈ এঠাইত মেৰিয়াই থোৱা আছে। ৮
ইয়াৰ পাছত যি জন শিষ্য মৈদামলৈ প্ৰথমতে গৈছিলে তেওঁ ভিতৰলৈ
সোমাই সকলো দেখি বিশ্বাস কৰিলে। ৯ কাৰণ ধৰ্মশাস্ত্ৰত এই কথা
কোৱা হৈছে যে 'মৃত লোক সকলৰ মাজৰ পৰা তেওঁ পুনৰায় উঠিব',
শাস্ত্ৰৰ এই শিক্ষা তেওঁলোকে এতিয়ালৈকে বুজা নাছিল। ১০ তাতে
সেই দুজন শিষ্য পুনৰ নিজৰ ঘৰলৈ গুচি গ'ল। ১১ কিন্তু মৰিয়মে
মৈদামৰ বাহিৰত থিয় হৈ কান্দি আছিল; আৰু কান্দি কান্দি মৈদামৰ
ভিতৰলৈ মূৰ দোৱাই চকু ফুৰালে, ১২ যীচুৰ দেহ শুৱাই থোৱা ঠাইৰ
মূৰ-শিতানত এজন আৰু ভৰি-পথানত এজন, এনেদৰে দুজন শুক্ল বস্ত্ৰ
পৰিধান কৰা স্বৰ্গৰ দূতক বহি থকা দেখিলে। ১৩ তেতিয়া তেওঁলোকে
মৰিয়মক সুধিলে, "হে নাৰী, কিয় কান্দিছা?" তেওঁ ক'লে, "কোনোবাই
মোৰ প্ৰভুক নিলে; কিন্তু তেওঁক ক'ত থলে নাজানো।" ১৪ এই কথা
কৈ, তেওঁ পাছফাললৈ মূখ ঘূৰাই, যীচুক থিয় হৈ থকা দেখিলে; কিন্তু
তেৰেঁই যে যীচু, তেওঁ চিনি নাপালে। ১৫ তেতিয়া যীচুৱে তেওঁক
সুধিলে, "হে নাৰী, তুমি কিয় কান্দিছা? কোন জনক নো বিচাৰিছা?"
তেতিয়া তেওঁ বাৰীচোৱা বুলি ভাবি তেওঁক ক'লে, "হে মহাশয়, আপুনি
যদি তেওঁক এই ঠাইৰ পৰা নিলে, তেনেহলে ক'ত থলে, মোক কওক;
মই তাৰ পৰা তেওঁক লৈ যাম।" ১৬ যীচুৱে তেওঁক ক'লে, "অ',
মৰিয়ম৷" তেতিয়া মৰিয়মে মূখ ঘূৰাই ইব্ৰী ভাষাৰে ক'লে "ৰব্বুণি"
ইয়াৰ অৰ্থ, 'হে গুৰু৷' ১৭ যীচুৱে তেওঁক ক'লে, "তুমি মোক নুচুবা,
কিয়নো মোৰ পিতৃৰ ওচৰলৈ এতিয়ালৈকে মই উঠা নাই। কিন্তু তুমি
মোৰ ভাই সকলৰ ওচৰলৈ গৈ তেওঁলোকক কোৱাগৈ, যি জন মোৰ
পিতৃ আৰু তোমালোকৰো পিতৃ; আৰু মোৰ ঈশ্বৰ আৰু তোমালোকৰো
ঈশ্বৰ, তেওঁৰ ওচৰলৈ মই উঠি যাওঁ৷" ১৮ তেতিয়া মগ্দলীনী মৰিয়ম
গ'ল আৰু শিষ্য সকলক এই সম্বাদ দিলে যে, "মই প্ৰভুক দেখিলোঁ৷"
মৰিয়মে তেওঁলোকক জনালে যে 'তেৰেঁই মোক এই কথা ক'বলৈ

ক'লে'। ১৯ সেইদিনা সন্ধিয়া সময়, এই দিন সপ্তাহৰ প্ৰথম দিন
আছিল, শিষ্য সকল এটা ঘৰত গোট খালে৷ তেওঁলোক থকা ঘৰৰ
দুৱাৰবোৰ ইহুদী সকলৰ ভয়ত বন্ধ কৰি ল'লে, তেতিয়া যীচুৱে আহি
তেওঁলোকৰ মাজত থিয় হৈ ক'লে "তোমালোকৰ শান্তি হওক"। ২০ এই
কথা কোৱাৰ পাছত তেওঁ তেওঁলোকক তেওঁৰ হাত দুখন আৰু কোষ
দেখুৱালে। তাতে শিষ্য সকলে প্ৰভুক দেখি আনন্দ কৰিলে। ২১ এই
কাৰণে যীচুৱে তেওঁলোকক পুনৰ ক'লে, "তোমালোকৰ শান্তি হওক,
পিতৃয়ে যেনেকৈ মোক পঠালে, ময়ো তেনেকৈ তোমালোকক পঠিয়াই
দিম"। ২২ এই কথা কৈ তেওঁ তেওঁলোকৰ ওপৰত নিশ্বাস পেলাই
ক'লে, "পবিত্ৰ আত্মা গ্ৰহণ কৰা। ২৩ তোমালোকে যি সকলৰ পাপ
ক্ষমা কৰিবা, তেওঁলোকৰ পাপ ক্ষমা কৰা হব; আৰু যি সকলৰ পাপ
ক্ষমা নকৰা, তেওঁলোকৰ পাপ ক্ষমা কৰা নহব৷" ২৪ থোমা, বাৰ জনৰ
মাজৰ যাক দিদুমো বোলে, তেওঁ যীচু অহা সময়ত তেওঁলোকৰ লগত
নাছিল। ২৫ এতেকে আন শিষ্য সকলে তেওঁক ক'লে, "আমি প্ৰভুক
দেখিলোঁ"। কিন্তু তেওঁ তেওঁলোকক ক'লে, "তেওঁৰ হাতত গজালৰ
চিন নেদেখিলে আৰু গজালৰ চিনত মোৰ আঙুলি নুসুমুৱালে, অাৰু
তেওঁৰ কোষত হাত নুসুমুৱালে মই কোনোমতে বিশ্বাস নকৰোঁ।" ২৬
আকৌ আঠ দিনৰ পাছত, তেওঁৰ শিষ্য সকল থোমাৰ সৈতে ভিতৰত
থাকোঁতে, দুৱাৰ বন্ধ হৈ থকাতো, যীচুৱে আহি মাজত থিয় হৈ ক'লে,
"তোমালোকৰ শান্তি হওক"। ২৭ তেতিয়া তেওঁ থোমাক ক'লে, "ইয়াত
তোমাৰ আঙুলি দি, মোৰ হাত চোৱা; আৰু তোমাৰ হাত মেলি, মোৰ
কোষত সুমুউৱা৷ অবিশ্বাসী নহৈ বিশ্বাসকাৰী হোৱা।" ২৮ থোমাই
উত্তৰ দি তেওঁক ক'লে, "হে মোৰ প্ৰভু, হে মোৰ ঈশ্বৰ!" ২৯ যীচুৱে
তেওঁক ক'লে, "মোক দেখাৰ কাৰণেহে তুমি বিশ্বাস কৰিছা। যি সকলে
নেদেখিও বিশ্বাস কৰে, তেওঁলোকেই ধন্য।" ৩০ যীচুৱে তেওঁৰ শিষ্য
সকলৰ আগত ইয়াতকৈয়ো অনেক আচৰিত চিন দেখুৱাইছিল, যিবোৰ
এই পুস্তকত লিখা নাই৷ ৩১ কিন্তু যীচু যে ঈশ্বৰৰ পুত্ৰ খ্ৰীষ্ট, ইয়াক
যেন তোমালোকে বিশ্বাস কৰা, বিশ্বাস কৰি তেওঁৰ নামত যেন জীৱন
পোৱা, এই কাৰণে এইবোৰ কথা লিখা হ'ল।

**২১** এই সকলোবোৰ ঘটি যোৱাৰ পাছত যীচুয়ে নিজকে তিবিৰিয়া
সাগৰৰ দাঁতিত শিষ্য সকলৰ সন্মুখত দেখা দিলে৷ এই ভাবে যীচুৱে
পুনৰ শিষ্য সকলক দৰ্শন দিলে: ২ চিমোন পিতৰ আৰু যাক দিদুমো
বোলে, সেই থোমা, আৰু গালীল প্ৰদেশৰ কান্না নগৰত থকা নথনেল
আৰু চিবদিয়ৰ পুতেক দুজন আৰু আন দুজন যীচুৰ শিষ্য, এওঁলোক
সকলোৱে একে ঠাইতে আছিল। ৩ চিমোন পিতৰে তেওঁলোকক ক'লে,
"মই মাছ মাৰিবলৈ যাওঁ"। তেওঁলোকে ক'লে, "আমিও, তোমাৰ লগত
যাওঁ"। এই বুলি তেওঁলোক ওলাই গৈ নাৱত উঠিল; কিন্তু সেই ৰাতি
তেওঁলোকে একোকে নাপালে। ৪ পাছত ৰাতি পুৱালত, যীচু বামত
থিয় হ'ল; কিন্তু তেওঁ যে যীচু, ইয়াক সেই শিষ্যকেইজনে নাজানিলে। ৫
তেতিয়া যীচুৱে তেওঁলোকক সুধিলে, "হেৰ যুৱক সকল, তোমালোকৰ
লগত কিবা খোৱা বস্তু আছে নে?" তেওঁলোকে তেওঁক উত্তৰ দিলে,
"নাই"। ৬ তেতিয়া যীচুৱে তেওঁলোকক ক'লে, "নাৱৰ সোঁফালে জাল
পেলোৱা, তেতিয়াহে পাবা"। তাতে তেওঁলোকে জাল পেলালে আৰু
বহুত মাছ লাগিল, মাছৰ ভৰত, জাল টানি তুলিবই নোৱাৰিলে। ৭
তেতিয়া যীচুৰ প্ৰিয় শিষ্যই পিতৰক ক'লে, "এৱেঁই প্ৰভু"। যেতিয়া
চিমোন পিতৰে এই কথা শুনিলে যে, এৱেঁই ঈশ্বৰ, তেতিয়া তেওঁ
গাত চোলা পিন্ধি নিজেই জাঁপ মাৰি সাগৰত পৰিল (কিয়নো তেওঁ
সাধাৰণভাবে কাপোৰ পিন্ধি আছিল)। ৮ কিন্তু আন শিষ্যকেইজনে,
মাছে সৈতে জাল টানি টানি নাৱেৰে আহিল; তেওঁলোক বাম পাবলৈ
বেছি দুৰ নাছিল, কিয়নো তেওঁলোক বামৰ পৰা দুশ হাত মানৰ অধিক
আতৰত নাছিল। ৯ পাছত তেওঁলোক বামত উঠিল, তাতে কয়লাৰ
জুইৰ ওপৰত মাছ আৰু পিঠা দেখিলে৷ ১০ যীচুৱে তেওঁলোকক ক'লে,
"এতিয়া যিবোৰ মাছ ধৰিলা তাৰ পৰা কিছুমান মাছ আনাগৈ"। ১১
তেতিয়া চিমোন পিতৰে নাৱত উঠি, এশ দুইকুৰি তেৰ টা; বৰ মাছেৰে
ভৰি থকা জাল টানি বামলৈ তুলিলে; ইমানবোৰ মাছ লাগিলতো, জাল
নাফাটিল। ১২ যীচুৱে তেওঁলোকক ক'লে, "আহা তোমালোকে পুৱাৰ
আহাৰ ভোজন কৰাহি"। তেতিয়া তেৱেঁই যে প্ৰভু, ইয়াকে জানি 'তুমি
নো কোন?' এই বুলি সুধিবলৈ শিষ্য সকলৰ মাজৰ কোনো এজনৰ

সাহস নহ’ল। ১৩ পাছত যীচুৱে আহি, পিঠা আৰু মাছ লৈ তেওঁলোকক
দিলে। ১৪ মৃত লোকৰ মাজৰ পৰা উঠাৰ পাছত, এইদৰে তৃতীয় বাৰ
যীচুৱে শিষ্য সকলক দৰ্শন দিলে। ১৫ তেওঁলোকে আহাৰ গ্ৰহণ কৰাৰ
পাছত, যীচুৱে চিমোন পিতৰক সুধিলে, “হে যোহনৰ পুতেক চিমোন,
তুমি এই সকলোতকৈ মোক অধিক প্ৰেম কৰা নে?” পিতৰে তেওঁক
ক’লে, “হয় প্ৰভু; মই যে আপোনাক প্ৰেম কৰোঁ, আপুনি জানে”।
যীচুৱে তেওঁক ক’লে, “মোৰ মেৰ-পোৱালি সকলক চৰোৱা।” ১৬
পুনৰ দ্বিতীয় বাৰ তেওঁ সুধিলে, “হে যোহনৰ পুতেক চিমোন তুমি
মোক প্ৰেম কৰা নে?” পিতৰে তেওঁক ক’লে, “হয় প্ৰভু; আপোনাক
মই প্ৰেম কৰোঁ, এই বিষয়ে আপুনি জানে।” যীচুৱে তেওঁক ক’লে,
“মোৰ মেৰবোৰ প্ৰতিপালন কৰা।” ১৭ তৃতীয় বাৰ তেওঁ সুধিলে, “হে
যোহনৰ পুতেক চিমোন, তুমি মোক প্ৰেম কৰা নে?” পিতৰে অসন্তোষ
কৰি ক’লে, ‘তেওঁ কিয় আকৌ তৃতীয় বাৰ এই কথা সুধিলে, তুমি
মোক ভাল পোৱা নে?’ ইয়াকে ভাবি তেওঁ ক’লে, “হে প্ৰভু, আপুনি
সকলো জানে; মই যে আপোনাক প্ৰেম কৰোঁ, আপুনি জানে।” যীচুৱে
তেওঁক ক’লে, “মোৰ মেৰবোৰক চৰোৱা। ১৮ মই তোমাক সঁচাকৈ
কওঁ, তুমি ডেকা কালত, নিজে নিজৰ কঁকাল বান্ধি, য’লৈকে ইচ্ছা
ত’লৈকে গৈছিলা; কিন্তু যেতিয়া তুমি বুঢ়া হ’বা, তেতিয়া হাত মেলিবা
আৰু অ◌ান লোকে তোমাৰ কঁকাল বান্ধি, তোমাৰ য’লৈ যাবৰ ইচ্ছা
নাই, ত’লৈকে তোমাক লৈ যাব।” ১৯ তেতিয়া যীচুৱে এই সকলো
কথাৰে বুজাই দিলে যে, তেওঁ কেনে মৰণেৰে ঈশ্বৰক মহিমান্বিত
কৰিব। এইদৰে কোৱাৰ পাছত যীচুৱে তেওঁক ক’লে, “মোৰ পাছে
পাছে আহা।” ২০ তেতিয়া পিতৰে মূখ ঘূৰাই, যি জনে ৰাতিৰ ভোজনৰ
সময়ত, যীচুৰ বুকুলৈ হাউলি গৈ সুধিছিল, ‘হে প্ৰভু, আপোনাক শত্ৰুৰ
হাতত কোনে শোধাই দিব?’ যীচুৰ সেই প্ৰিয় শিষ্যক পাছে পাছে অহা
দেখিলে। ২১ তাতে পিতৰে তেওঁক দেখি, যীচুক সুধিলে, “হে প্ৰভু,
এই মানুহ জনৰ কি অৱস্থা হ’ব?” ২২ তেতিয়া যীচুৱে ক’লে, “‘মই
অহালৈকে তেওঁ যদি জীয়াই থাকে’, মই যদি এনেদৰে থকাটো ইচ্ছা
কৰোঁ, তেনেহলে তাৰ পৰা তোমাৰ কি হ’ব? তুমি মোক অনুসৰণ

কৰা।” ২৩ এই কথা ভাই সকলৰ মাজত বিয়পি গ’ল; সেই শিষ্য
নমৰিব বুলি যীচুৱে তেওঁক কোৱা নাই; কিন্তু ‘মই অহালৈকে তেওঁ যদি
জীয়াই থাকে, মই যদি এনেদৰে থকাটো বিচাৰো, তেনেহলে তাত
তোমাৰ কি কাম?’ অকল ইয়াকেহে কৈছিল। ২৪ যি জনে এইবোৰৰ
বিষয়ে সাক্ষ্য দিছে আৰু এইবোৰ লিখিলে, এৱেঁই সেই শিষ্য; আমি
জানো যে, তেওঁৰ সাক্ষ্য সত্য। ২৫ ইয়াৰ বাহিৰেও যীচুৱে বহু কৰ্ম
কৰিলে৷ সেই সকলোকে এটা এটাকৈ লিখিবলৈ গ’লে, যিমানবোৰ
পুস্তক হ’ব, বোধ কৰোঁ, সিমানবোৰ পৃথিৱীতো নধৰিব।

# পাঁচনি

**১** হে থিয়ফিল, মই প্ৰথম প্ৰবন্ধত আৰম্ভণীৰে পৰা যীচুক স্বৰ্গলৈ
নিয়া দিনলৈকে তেওঁ যি যি কৰ্ম কৰিলে আৰু উপদেশ দিলে, সেই
সকলোবোৰৰ বিষয়ে লিখিলোঁ। ২ পাছত তেওঁক ওপৰলৈ তুলি নিয়া
দিনলৈকে তেওঁ মনোনীত কৰা পাঁচনি সকলক পবিত্ৰ আত্মাৰ দ্বাৰাই
আজ্ঞা দিলে৷ ৩ ক্ৰুচীয় মৃত্যুৰ দুখভোগৰ পাছত তেওঁ পাঁচনি সকলৰ
আগত সময়ে সময়ে দেখা দি নিজকে জীয়াই থকাৰ প্ৰমাণ দিলে।
এইদৰে যীচুৱে চল্লিশ দিনলৈকে দৰ্শন দি ঈশ্বৰৰ ৰাজ্যৰ কথা ঘোষণা
কৰিলে। ৪ এদিন পাঁচনি সকলৰ সৈতে সমবেত হোৱা সময়ত তেওঁ
এই আজ্ঞা দিলে, “তোমালোকে যিৰূচালেম এৰি নাযাবা, কিন্তু মোৰ
পৰা পিতৃৰ যি প্ৰতিজ্ঞা শুনিলা, সেই প্ৰতিজ্ঞালৈকে বাট চাই থাকা। ৫
যোহনে পানীতহে বাপ্তিস্ম দিলে, কিন্তু কিছুদিনৰ পাছত তোমালোকক
পবিত্ৰ আত্মাত বাপ্তিস্ম দিয়া হব।” ৬ পুনৰ গোট খোৱা সময়ত
তেওঁলোকে যীচুক সুধিলে, “হে প্ৰভু, ইস্ৰায়েলক আপুনি এই কালতে
পুনৰাই ৰাজ্য দিব নে?” ৭ তেতিয়া তেওঁলোকক তেওঁ ক’লে, “যি
কাল আৰু সময় পিতৃয়ে নিজৰ ক্ষমতাৰ অধীনত ৰাখিছে, সেই বিষয়ে
তোমালোকে জানিবলৈ নোপোৱা। ৮ কিন্তু যেতিয়া তোমালোকৰ
ওপৰত পবিত্ৰ আত্মা আহিব, তেতিয়া তোমালোক আত্মাত শক্তিশালী
হবা৷ তেতিয়া তোমালোকে যিৰূচালেম আদি কৰি গোটেই যিহুদীয়া,
চমৰীয়া দেশত আৰু পৃথিৱীৰ সীমালৈকে মোৰ সাক্ষী হবা।” ৯ এই
কথা কোৱাৰ পাছত প্ৰভু যীচুক আকাশলৈ তুলি নিয়া হ’ল আৰু এচপৰা
মেঘে তেওঁক ঢাকি ধৰিলে। তাতে তেওঁলোকে ওপৰলৈ ৰ’ লাগি
চাই থাকিল, কিন্তু পুনৰবাৰ প্ৰভু যীচুক দেখা নাপালে। ১০ এইদৰে
আকাশলৈ একেথৰে চাই থাকোতে, হঠাৎ বগা বস্ত্ৰ পৰিধান কৰা দুজন
লোক তেওঁলোকৰ ওচৰত থিয় হ’ল আৰু তেওঁলোকক কলে, ১১ “হে
গালীল দেশৰ গালীলীয়া সকল, তোমালোকে কিয় আকাশলৈ ৰ’ লাগি
চাই ৰৈছা? এই জন যীচুক তোমালোকৰ কাষৰ পৰা স্বৰ্গলৈ নিয়া হল।
তোমালোকে তেওঁক যেনেকৈ স্বৰ্গলৈ যোৱা দেখিলা, সেইৰূপে তেওঁ
আকৌ আহিব।” ১২ তাৰ পাছত পাঁচনি সকল জৈতুন নামৰ পাহাৰৰ

পৰা যিৰূচালেমলৈ উভতি আহিল৷ এই পাহাৰ যিৰূচালেমৰ পৰা
বিশ্ৰামবাৰে যোৱা বাটৰ সমান দূৰৈত অৱস্থিত ১৩ যেতিয়া তেওঁলোকে
যিৰূচালেম নগৰ গৈ পালে, তাত তেওঁলোকে পিতৰ, যোহন, যাকোব,
আন্দ্ৰিয়, ফিলিপ, থোমা, বাৰ্থলময়, মথি, আলফয়ৰ পুতেক যাকোব,
উদ্যোগী চিমোন আৰু যাকোবৰ পুতেক যিহুদা থকা ঘৰৰ ওপৰৰ
কোঠালিলৈ গ'ল। ১৪ তাতে তেওঁলোকে কেইগৰাকীমান মহিলা, যীচুৰ
মাক মৰিয়ম আৰু তেওঁৰ ভায়েক সকলৰ সৈতে সকলোৱে এক মনেৰে
প্ৰাৰ্থনাত লাগি থাকিল। ১৫ সেই সময়ছোৱাত প্ৰায় এশ বিশ জন
লোক গোট খাই আছিল, তাতে পিতৰে উঠি ক'লে, ১৬ "হে ভাই সকল,
ধৰ্মশাস্ত্ৰৰ বচন সিদ্ধ হ'বলৈ যীচুক বন্দী কৰাৰ প্ৰয়োজন আছিল;
কিয়নো যীচুক বন্দী কৰা সকলক যিহূদাই বাট দেখুউৱাৰ বিষয়ে পবিত্ৰ
আত্মাই দায়ুদৰ মুখেৰে পূৰ্বতে প্ৰকাশ কৰিছিল। ১৭ তেওঁ আমাৰ
মাজৰেই এজন আছিল আৰু এই পৰিচৰ্যা কাৰ্যৰ ভাগো পাইছিল। ১৮
দুষ্কৰ্ম্ম কৰি পোৱা ধনেৰে তেওঁ এডোখৰ মাটি কিনিলে আৰু তাতে
তলমূৰকৈ পৰি যিহূদাৰ পেট ফাটি নাড়ী ভুঁৰু সকলো ওলাল। ১৯
এই কথা যিৰূচালেমত নিবাস কৰা আটাই মানুহৰ মাজত বিয়পি
পৰিল আৰু সেয়েহে তেওঁলোকৰ ভাষাত সেই মাটিৰ নাম হকলদামা,
অৰ্থাৎ তেজৰ মাটি হ'ল।" ২০ পিতৰে পুনৰ ক'লে, "কিয়নো গীতমালা
পুস্তকত লিখা আছে, 'তেওঁৰ থকা ঠাই নিৰ্জন হওক, 'তাত কোনো
মানুহ নাথাকক; আৰু আনে তেওঁৰ অধ্যক্ষ পদ পাওঁক।' ২১ গতিকে,
প্ৰভু যীচুক যোহনে বাপ্তিস্ম দিয়া দিনৰে পৰা স্বৰ্গলৈ নিয়া দিনলৈকে
যি সকল লোকে আমাৰ মাজত চলা-ফুৰা কৰিছিল, ২২ সেই লোক
সকলৰ মাজৰ বাপ্তিস্ম লোৱা এজন লোক নিশ্চয়কৈ আমাৰ সৈতে
তেওঁৰ পুনৰুত্থানৰ সাক্ষী হোৱাৰ প্ৰয়োজন আছে।" ২৩ তেতিয়া লোক
সকলে যোচেফ, যি জনক বাৰ্চব্বা অথবা যুষ্ট নামেৰেও জনা যায় আৰু
মত্তথিয়; এই দুয়োজনকে আগলৈ আনিলে। ২৪ পাছত তেওঁলোকে
প্ৰাৰ্থনা কৰি ক'লে, "হে প্ৰভু, তুমি অন্তৰ্যামী, সকলোৰে হৃদয় জানা৷
সেয়েহে এই দুজনৰ মাজৰ পৰা এজনক মনোনীত কৰা; ২৫ কিয়নো
যিহূদাই পাপ কৰি নিজৰ যাবলগীয়া ঠাইলৈ গ'ল৷ সেই ঠাইত এই

দুয়ো জনৰ মাজৰ কোন জনক তুমি এই পৰিচৰ্যা আৰু পাঁচনি পদ
পাবলৈ মনোনীত কৰিছা, সেয়া প্ৰকাশ কৰা।” ২৬ পাছত তেওঁলোকে
দুয়ো জনৰ কাৰণে চিঠি খেলোতে মত্তথিয়ৰ নাম উঠিল আৰু তেওঁ
এঘাৰ জন পাঁচনিৰ লগত গণিত হ’ল।

২ পঞ্চাশ-দিনীয়া পৰ্বৰ দিনা যীচুৱে মনোনীত কৰা পাঁচনি সকল
এঠাইত একেলগে গোট খাই আছিল। ২ সেই সময়ত অতিশয় বেগেৰে
ধুমুহা বতাহ ব’লাৰ নিচিনা এটা শব্দ স্বৰ্গৰ পৰা অকস্মাতে আহি
যি ঘৰত পাঁচনি সকল বহি আছিল, সেই গোটেই ঘৰটো জুৰিলে।
৩ তেতিয়া তেওঁলোকৰ আগত জিভাৰ সদৃশ জুই ওলাই প্ৰতিজনৰ
ওপৰত ৰৈ থাকিল। ৪ সেই সময়ত তেওঁলোক সকলোৱে পবিত্ৰ
আত্মাৰে পূৰ হৈ, আত্মাই নিৰ্দ্দেশ দিয়াৰ দৰে আন আন ভাষাৰে
কথা কবলৈ ধৰিলে। ৫ সেই সময়ত যিৰূচালেমত বাস কৰা ইহুদী
লোক আৰু আকাশৰ তলত থকা সকলো দেশৰ পৰা অহা ধৰ্মীয়
ভক্ত সকল সেই ঠাইত আছিল। ৬ যেতিয়া স্বৰ্গৰ পৰা অহা সেই
শব্দ তেওঁলোকে শুনিবলৈ পালে, তেতিয়া তেওঁলোক একগোট হ’ল
আৰু প্ৰতিজনে তেওঁলোকৰ নিজ ভাষাৰে পাঁচনি সকলক কথা কোৱা
শুনি কিংকৰ্তব্যবিমূঢ় হ’ল; ৭ তাতে তেওঁলোকে বিস্ময় মানিলে আৰু
আচৰিত হৈ নিজৰ মাজতে ভুৰভুৰালে আৰু ক’লে, “যি সকলে এই
কথা কৈছে, তেওঁলোক গালীলীয়া মানুহ নহয় নে? ৮ যদি সেয়ে
সত্য হয়, তেনেহলে আমি প্ৰতিজনে নিজ নিজ মাতৃ-ভাষাত কেনেকৈ
শুনিবলৈ পাইছোঁ?” ৯ পাৰ্থিয়া, মাদিয়া, এলাম, মেচোপতেমিয়া,
যিহূদা, কোপ্পাদকিয়া, পন্ত, এচিয়া, ১০ ফিৰুগিয়া, পাম্ফুলিয়া, মিচৰ,
এই সকলো দেশৰ মানুহ আৰু কুৰীণীৰ ওচৰৰ লুবিয়াৰ সীমাত থকা
সকল, ৰোম নগৰৰ পৰা অহা ইহুদী সকল আৰু ইহুদী ধৰ্ম লোৱা
বিদেশী লোক সকল, ১১ ক্ৰীত আৰু আৰব দেশৰ মানুহবোৰে নিজ
নিজ মাতৃ-ভাষাত ঈশ্বৰৰ মহৎ আচৰিত কাৰ্যৰ কথা কৈ থকা শুনিবলৈ
পোৱাত ১২ তেওঁলোকে বিস্ময় মানি সংশয় মনেৰে কোৱা-কুই কৰি
ক’লে, “এই সকলোবোৰৰ অৰ্থ কি?” ১৩ কিন্তু কিছু সংখ্যক লোকে
ক’লে, “এইবোৰ মানুহ নতুন দ্ৰাক্ষাৰস পান কৰি মতলীয়া হৈছে।”

১৪ তেতিয়া পিতৰে এঘাৰ জন পাঁচনিৰে সৈতে থিয় হৈ বৰ মাতেৰে
ক'লে, “হে যিহুদী লোক সকল, হে আটাই যিৰূচালেম নিবাসী সকল,
এই কথা আপনালোকৰ জ্ঞাত হওক আৰু মোৰ কথালৈ কাণ দিয়ক।
১৫ আপোনালোকে যেনেকৈ ভাবিছে, তেনেকৈ এওঁলোক মতলীয়া
নহয়, কাৰণ এতিয়া পুৱাৰ ন মানহে বাজিছে৷ ১৬ কিয়নো এই সকলো
কথা যোৱেল ভাববাদীৰ যোগে কোৱা হৈছিলঃ ১৭ ‘ঈশ্বৰে কৈছে,
শেষৰ দিনা সকলো মানুহৰ ওপৰত মোৰ আত্মা বাকি দিম, তাতে
তোমালোকৰ সতি-সন্ততি সকলে ভাববাণী প্ৰচাৰ কৰিব, তোমালোকৰ
যুৱক সকলে দৰ্শন পাব, তোমালোকৰ বৃদ্ধ লোক সকলে সপোন
দেখিব। ১৮ আৰু সেই কালত মই তোমালোকৰ দাস, দাসী সকলৰ
ওপৰত মোৰ আত্মা বাকি দিম, তাতে তেওঁলোকে ভাববাণী প্ৰচাৰ
কৰিব, ১৯ আৰু মই আকাশত অদ্ভুত লক্ষণ আৰু পৃথিৱীতো নানা
পৰাক্ৰমৰ চিন যেনে, তেজ, জুই আৰু ধোঁৱা স্বৰূপ মেঘ দেখুৱাম৷
২০ প্ৰভুৰ সেই মহৎ আৰু প্ৰসিদ্ধ দিন অহাৰ পুৰ্বেই, সূৰ্য আন্ধাৰ
আৰু চন্দ্ৰ তেজৰ দৰে হ'ব। ২১ কিন্তু যি কোনোৱে প্ৰভুৰ নামত
প্ৰাৰ্থনা কৰে, সি পৰিত্ৰাণ পাব।' ২২ হে ইস্ৰায়েলী লোক সকল, এই
কথাবোৰ শুনক; নাচৰতীয়া যীচু আপোনালোকলৈ ঈশ্বৰৰ মনোনীত
জন যে হয়, এই বিষয়ে আপোনালোকে জানি আছে। ঈশ্বৰে যে তেওঁৰ
দ্বাৰাই আচৰিত আৰু অদ্ভুত কৰ্ম আৰু চিন আপোনালোকৰ আগত
দেখুৱালে, সেয়াও আপোনালোকে জানে৷ ২৩ কাৰণ ঈশ্বৰৰ দ্বাৰা তেওঁ
নিৰ্ণীত আৰু পূৰ্বজ্ঞানেৰে তেওঁক তোলা হ'ল, কিন্তু আপোনালোকে
তেওঁক বিধানহীনৰ হাতৰ দ্বাৰাই ক্ৰুচত তুলি বধ কৰিলে। ২৪ কিন্তু
ঈশ্বৰে তেওঁক মৃত্যুৰ যাতনাৰ পৰা মুক্ত কৰি জীয়ালে, কিয়নো তেওঁ
মৃত্যুৰ বন্ধনত থকা অসাধ্য। ২৫ তেওঁৰ বিষয়ে দায়ুদে কৈছিল,
বোলে, ‘মই সদায় প্ৰভুক মোৰ সন্মুখত দেখিলোঁ; মই লৰচৰ নহবলৈ
তেওঁ মোৰ সোঁফালে থাকে; ২৬ এই হেতুকে মোৰ মন আনন্দিত
হৈছে, মোৰ জিভাই উল্লাস কৰিছে, আৰু মোৰ শৰীৰেও ভাৰসাৰে
বাস কৰিব; ২৭ কিয়নো তুমি মৃতলোকত মোৰ আত্মাক নেৰিবা,
আৰু তোমাৰ পবিত্ৰ জনক ক্ষয় পাবলৈ নিদিবা৷ **(Hadēs g86)** ২৮

তুমি মোক জীৱনৰ পথ দেখুৱাবা আৰু তোমাৰ সন্মুখত যি আনন্দ,
তাৰে মোক পূৰ কৰিবা।’ ২৯ হে ভাইসকল, পিতৃ কুলপতি দায়ুদৰ
কথা আপোনালোকৰ আগত স্পষ্টকৈ কব পাৰোঁ যে, তেওঁ মৰিল
আৰু তেওঁক মৈদামত থোৱা হ’ল, তেওঁৰ সেই মৈদাম আজিলৈকে
আমাৰ মাজত আছে৷ ৩০ কিন্তু নিজে এজন ভাববাদী হৈ তেওঁৰ
বংশৰ পৰা এজনক তেওঁৰ সিংহাসনত বহুৱাবলৈ, ঈশ্বৰে শপত খাই
যি প্ৰতিজ্ঞা কৰিছিল, ৩১ সেই প্ৰতিজ্ঞাৰ বিষয়ে জানিবলৈ পোৱাত,
ভবিষ্যতৰ ঘটনালৈ চাই খ্ৰীষ্টৰেই পুনৰুত্থানৰ বিষয়ে ক’লে যে, ‘তেওঁক
মৃতলোকত ত্যাগ কৰা নহ’ল আৰু তেওঁৰ শৰীৰো ক্ষয় নাপালে৷’
(Hadēs g86) ৩২ সেই যীচুকে ঈশ্বৰে পুনৰায় মৈদামৰ পৰা জীৱিত
কৰিলে, সেই ঘটনাৰ সাক্ষী আমি আছোঁ৷ ৩৩ এতেকে উত্তোলিত হৈ
ঈশ্বৰৰ সোঁ হাতে ওখ পদ পাই আৰু পবিত্ৰ আত্মাৰ বিষয়ে পিতৃৰ পৰা
প্ৰতিজ্ঞা পাই আপোনালোকে যি দেখিছে আৰু শুনি আছে, এইবোৰ
তেওঁ বাকি দিলে৷ ৩৪ কিয়নো দায়ুদ হ’লে স্বৰ্গলৈ উঠা নাই, কিন্তু
তেওঁ নিজেই এই কথা ক’লে, “প্ৰভুৱে মোৰ প্ৰভুক ক’লে, মোৰ
সোঁফালে বহি থাকা, ৩৫ “যেতিয়ালৈকে মই তোমাৰ শত্ৰুবোৰক
তোমাৰ ভৰি-পীৰা নকৰোঁ।” ৩৬ এই কাৰণে ইস্ৰায়েলৰ সকলো
মানুহে ইয়াক নিশ্চয়কৈ জনা উচিত যে, যি জনক অৰ্থাৎ যি জন
যীচুক আপোনালোকে ক্ৰুচত দিলে, ঈশ্বৰে হলে তেওঁক প্ৰভু আৰু খ্ৰীষ্ট
পাতিলে। ৩৭ এই কথা শুনি তেওঁলোকৰ হৃদয় বিন্ধাত, পিতৰ আৰু
আন পাঁচনি সকলক তেওঁলোকে কলে, “হে ভাই সকল, আমি এতিয়া
কি কৰিম?” ৩৮ তেতিয়া পিতৰে তেওঁলোকক কলে, “আপোনালোকে
পাপ ক্ষমা পাবলৈ অনুতপ্ত হওক আৰু যীচু খ্ৰীষ্টৰ নামেৰে প্ৰতিজনে
বাপ্তিস্ম গ্ৰহণ কৰক, তেনে কৰিলেহে আপোনালোকে পবিত্ৰ আত্মা
পাব৷ ৩৯ কিয়নো আপোনালোক আৰু আপোনালোকৰ সন্তান সকললৈ
আৰু দূৰৈত থকা লোক সকলৰ কাৰণেও এই প্ৰতিজ্ঞা আছে যে,
আমাৰ প্ৰভু পৰমেশ্বৰে সকলোকে নিমন্ত্ৰণ কৰিব। ৪০ ইয়াৰ উপৰি
তেওঁ ভালেমান কথাৰে সাক্ষ্য দি তেওঁলোকক উদগণি দিলে আৰু
ক’লে, “এই কুটিল লোকৰ পৰা নিজকে ৰক্ষা কৰক।” ৪১ তেতিয়া

তেওঁলোকে তেওঁৰ কথা গ্ৰহণ কৰি বাপ্তিস্ম ললে আৰু সেই দিনাই প্ৰায়
তিনি হাজাৰ লোকক তেওঁলোকৰ লগত লগ লগোৱা হ'ল৷ ৪২ পাছত
তেওঁলোকে পাঁচনি সকলৰ উপদেশত, সহভাগিতাত, পিঠা ভঙাত আৰু
প্ৰাৰ্থনাত লাগি থাকিল। ৪৩ তাতে পাঁচনি সকলৰ দ্বাৰাই অনেক অদ্ভুত
লক্ষণ আৰু আচৰিত চিন যেতিয়া দেখুওঁৱা হ'ল, তেতিয়া সকলো
লোকৰ ভয় লাগিল ৪৪ আৰু বিশ্বাস কৰা সকলোৱে একলগ হৈ সকলো
সম্পত্তি উমৈহতীয়াকৈ ভাগ কৰিলে। ৪৫ আৰু তেওঁলোকৰ স্হাৱৰ আৰু
অস্হাৱৰ সম্পত্তি বেচি যাৰ যি প্ৰয়োজন, সেইদৰে সকলোকে ভগাই
দিলে। ৪৬ তাৰ পাছত সকলোৱে এক উদ্দেশ্যেত সদায় মন্দিৰলৈ
গৈ থাকিল আৰু ঘৰে ঘৰে পিঠা ভাঙি ঈশ্বৰৰ স্তুতি কৰি, সকলোৱে
আনন্দেৰে আৰু নম্ৰ হৃদয়েৰে খোৱা-বোৱা কৰিলে; ৪৭ আৰু ঈশ্বৰৰ
স্তুতি কৰি সকলো লোকৰ আদৰৰ পাত্ৰ হ'ল৷ প্ৰভুৱে দিনে দিনে
পৰিত্ৰাণ পোৱা লোক সকলক তেওঁলোকৰ লগত লগ লগাই দিলে।

৩ এদিন প্ৰাৰ্থনাৰ সময়ত, অৰ্থাৎ আবেলি প্ৰায় তিনি মান বজাত
পিতৰ আৰু যোহন যিৰূচালেম মন্দিৰলৈ গৈ আছিল। ২ তেনে সময়ত
সেই মন্দিৰলৈ অহা লোক সকলৰ ওচৰত ভিক্ষা মাগিবলৈ সেই
মন্দিৰৰ সুন্দৰ নামৰ দুৱাৰমুখত যি জনক সদায় থোৱা হৈছিল, তেনে
ওপজাৰে পৰা খোৰা মানুহ এজনক কিছুলোকে কঢ়িয়াই আনিলে।
৩ তেওঁ পিতৰ আৰু যোহনক সেই মন্দিৰত সোমাবলৈ ধৰা দেখি,
ভিক্ষা পাবৰ বাবে অনুৰোধ কৰিলে। ৪ তেতিয়া পিতৰ আৰু যোহনে
তেওঁলৈ একেথৰে চাই কলে, "আমালৈ চোৱা"। ৫ তেতিয়া তেওঁ কিছু
পোৱাৰ আশাত তেওঁলোকলৈ চাই থাকিল। ৬ তেতিয়া পিতৰে কলে,
"মোৰ লগত ৰূপ সোণ একো নাই, কিন্তু যি আছে তাকে তোমাক
দিওঁ; নাচৰতীয়া যীচু খ্ৰীষ্টৰ নামেৰে উঠি ফুৰা"। ৭ তাকে কৈ তেওঁ
তাৰ সোঁ হাতত ধৰি তুলি দিয়াত ভৰি আৰু গাঁঠিয়ে বল পালে। ৮
তাতে সেই মগনীয়াই লাফ মাৰি থিয় হৈ খোজকাঢ়ি ফুৰিলে আৰু
ডেও দি দি ঈশ্বৰক স্তুতি কৰি তেওঁলোকৰ সৈতে মন্দিৰত সোমাল।
৯ তাতে সকলো লোকে তেওঁক খোজকঢ়া আৰু ঈশ্বৰক স্তুতি কৰা
দেখিলে। ১০ পাছত তেওঁলোকে তেওঁক মন্দিৰৰ সুন্দৰ দুৱাৰত বহি

ভিক্ষা খোজা মানুহ জন বুলি জানিবলৈ পোৱাত, তেওঁলৈ যি ঘটিল,
সেই বিষয়ে বৰ আচৰিত হ'ল আৰু বিস্ময় মানিলে। ১১ সেই সুস্থ হোৱা
খোৰা জনে পিতৰ আৰু যোহনক ধৰি থকা দেখি সকলো লোকে বিস্ময়
মানিলে আৰু তেওঁলোকৰ ওচৰলৈ বেগাই আহিল; তাতে তেওঁলোক
থকা সেই ঠাই চলোমনৰ বাৰাণ্ডা বুলি জনাজাত আছিল। ১২ ইয়াকে
দেখি পিতৰে লোক সকলক কলে- "হে ইস্ৰায়েলীয়া লোক সকল,
আপোনালোকে কিয় ইয়াত এই কাৰ্য দেখি বিস্ময় মানিছে? আমি
আমাৰ শক্তিৰে বা ভক্তিৰে এই মানুহ জনক খোজ কঢ়ালোঁ বুলি
ভাবি আমাৰ ফালে কিয় একেথৰে চাই আছে? ১৩ যি জন যীচুক
আপোনালোকে শত্ৰুৰ হাতত শোধাই দিলে আৰু পীলাতে এৰি দিবলৈ
কোৱাৰ পাছতো তেওঁক এৰি দিবলৈ অস্বীকাৰ কৰিলে; অব্ৰাহাম,
ইচহাক, যাকোবৰ ঈশ্বৰ, অৰ্থাৎ আমাৰ পূৰ্বপুৰুষ সকলৰ ঈশ্বৰে নিজৰ
সেৱক সেই যীচু খ্ৰীষ্টক মহিমান্বিত কৰিলে। ১৪ কিন্তু সেই পবিত্ৰ আৰু
ধাৰ্মিক জনক অস্বীকাৰ কৰি, নৰবধী এটাকহে মোকলাই দিবৰ বাবে
আপোনালোকে অনুমতি বিচাৰি নিবেদন কৰিলে; ১৫ আৰু জীৱনদাতা
জনক আপোনালোকে বধ কৰিলে; কিন্তু ঈশ্বৰে মৃত লোকৰ মাজৰ পৰা
তেওঁক তুলিলে, তাৰ সাক্ষী আমি আছোঁ ১৬ আৰু তেওঁৰ নামত বিশ্বাস
কৰাৰ কাৰণে, এই যি মানুহ জনক আপোনালোকে চিনি পাইছে,
এওঁক তেওঁৰ নামেই বলৱান কৰিলে আৰু তেওঁ জন্মোৱা বিশ্বাসে
আপোনালোকৰ সন্মুখত এওঁক সম্পূৰ্ণ সুস্থ কৰি খোজ কঢ়ালে। ১৭
হে ভাই সকল মই জানিছোঁ, আপোনালোকৰ শাসনকৰ্তা সকলে
আৰু আপোনালোকে নুবুজিয়ে সেই কৰ্ম কৰিলে। ১৮ কিন্তু ঈশ্বৰে
পূৰ্বতে ভাববাদী সকলৰ মূখেৰে খ্ৰীষ্টৰ দূখভোগৰ বিষয়ত যি কথা
কোৱাইছিল, সেই বিষয়কে তেওঁ এই ৰূপে সিদ্ধ কৰিলে। ১৯ এই
কাৰণে মন-পালটাই ঘূৰি আহক যাতে, আপোনালোকৰ পাপ-মোচন
হয় আৰু প্ৰভুৰ সন্মুখৰ পৰা শান্তিযুক্ত কাল যেন আহে; ২০ আৰু
আপোনালোকৰ কাৰণে নিৰূপিত যি জন খ্ৰীষ্ট, সেই জন যীচুক যেন
তেওঁ পঠিয়াই দিয়ে। ২১ ঈশ্বৰে পবিত্ৰ ভাৱবাদী সকলৰ দ্বাৰা যি
যি সময়ৰ কথা পূৰ্বতে কৈছিল, সকলো বিষয়ৰ পুনঃস্থাপনৰ সেই

সময়লৈকে স্বৰ্গই এই যীচু খ্ৰীষ্টক গ্ৰহণ কৰাৰ আৱশ্যক আছে। **(aiōn g165)** ২২ মোচিয়ে কৈছিল, “প্ৰভু পৰমেশ্বৰে আপোনালোকৰ ভাই সকলৰ মাজৰ পৰা মোৰ নিচিনা এজন ভাববাদী উৎপন্ন কৰিব আৰু তেওঁ আপোনালোকক যি কথা কব, সেই সকলো কথা আপোনালোকে শুনিব ২৩ কিন্তু সেই ভাববাদীৰ কথা যি কোনো প্ৰাণীয়ে নুশুনে, তেওঁক নিজৰ লোকৰ মাজৰ পৰা উচ্ছন্ন কৰা হব”। ২৪ ইয়াৰ উপৰি চমূৱেল আদি কৰি যিমানবোৰ ভাববাদীয়ে কথা কলে, সকলোৱে এই সময়ৰ বিষয়েই কৈ গ’ল। ২৫ আপোনালোক সেই ভাববাদী সকলৰ সন্তান আৰু আপোনালোকৰ পূৰ্বপুৰুষ সকলৰ সৈতে ঈশ্বৰে কৰা সেই বিধানৰ উত্তৰাধিকাৰী; তেওঁ অব্ৰাহামক কৈছিল “তোমাৰ বংশত পৃথিৱীৰ সকলো জাতিয়ে আশীৰ্বাদ পাব।” ২৬ আপোনালোকৰ প্ৰতি জনক নিজ দুষ্টতাৰ পৰা ঘূৰাই আশীৰ্বাদ দিবলৈ ঈশ্বৰে তেওঁৰ পুত্ৰ যীচুক প্ৰথমতে আপোনালোকৰ ওচৰলৈ পঠালে।

**4** পিতৰ আৰু যোহনে লোক সকলৰ মাজত কথা কৈ থাকোতে মন্দিৰৰ পুৰোহিত, সেনাপতি আৰু চদ্দূকী সকলে তেওঁলোকৰ ওচৰত আহি উপস্থিত হল৷ ২ পিতৰ আৰু যোহনে লোক সকলক যীচুৰ বিষয়ে শিক্ষা দিয়াত আৰু মৃত লোকৰ মাজৰ পৰা যীচুৰ পুনৰুত্থান হোৱা বিষয়তো ঘোষণা কৰি থকাত তেওঁলোক অতি বিৰক্ত হ’ল। ৩ তেওঁলোকে পিতৰ আৰু যোহনক ধৰিলে আৰু তেতিয়া সন্ধিয়া সময় হোৱা বাবে, পাছদিনা পুৱা নোহোৱালৈকে কাৰাগাৰত বন্দী কৰি থলে। ৪ কিন্তু যি সকলে শিক্ষা শুনিছিল, তেওঁলোকৰ মাজৰ বহুত মানুহে বিশ্বাস কৰিলে; সেই বিশ্বাসী সকলৰ সংখ্যা হিচাপ কৰোঁতে প্ৰায় পাঁচ হাজাৰ পোৱা গ’ল। ৫ পাছদিনা ইহুদী সকলৰ অধিকাৰী, পৰিচাৰক আৰু বিধানৰ অধ্যাপক সকল একেলগে যিৰূচালেমত মিলিত হ’ল। ৬ তাতে মহা-পুৰোহিত হানন উপস্থিত আছিল। তেওঁৰ বাহিৰেও কায়াফা, যোহন, আলেকজেন্দাৰ আৰু মহা-পুৰোহিতৰ পৰিয়ালৰ বহুত লোক উপস্থিত আছিল। ৭ তেওঁলোকে পিতৰ আৰু যোহনক মাজত থিয় কৰাই সুধিলে- “তোমালোকে কি শক্তিৰে বা কি নামেৰে এই কাৰ্য কৰিছা?” ৮ তেতিয়া পিতৰে পবিত্ৰ আত্মাৰে

পৰিপূৰ্ণ হৈ তেওঁলোকক কলে- "হে লোক সকলৰ শাসনকৰ্তা আৰু পৰিচাৰক সকল, ৯ আজি এজন অসুস্থ মানুহলৈ কৰা উপকাৰ দেখি, তেওঁ কি উপায়েৰে সুস্থ হ'ল সেই বিষয় জানিবৰ বাবে আপোনালোকে আমাক এই বিষয়ে সোধ-বিচাৰ কৰি প্ৰশ্ন সুধিছে নেকি? ১০ সেয়াই যদি হয়, আপোনালোক আৰু ইস্ৰায়েলৰ আটাইলোকে ইয়াকে জানক যে, যি যীচু খ্ৰীষ্টক আপোনালোকে ক্ৰুচত দিছিল আৰু তেওঁক ঈশ্বৰে মৈদামৰ পৰা তুলিলে আৰু সেই নাচৰতীয়া যীচুৰ নামেৰে এই ব্যক্তি জন সুস্থ হৈ ইয়াত আপোনালোকৰ আগত থিয় হৈ আছে। ১১ যি শিলক আপোনালোকৰ দৰে ঘৰ সাজোতাই অৱহেলা কৰিলে, সেই যীচু খ্ৰীষ্টই হৈছে সেই শিল৷ সেই শিলক চুকৰ প্ৰধান শিল কৰা হ'ল। ১২ তেওঁৰ বাহিৰে আন কতো পৰিত্ৰাণ নাই, কিয়নো স্বৰ্গৰ তলত আৰু মানুহৰ মাজত যাৰ দ্বাৰা আমি উদ্ধাৰ পাম, এনে আন কোনো নাম নাই।" ১৩ পিতৰ আৰু যোহনৰ সাহস দেখি আৰু তেওঁলোক লিখা-পঢ়া নজনা লোক বুলি জানিবলৈ পোৱাত, তেওঁলোকে বিস্ময় মানিলে৷ তেওঁলোকে জনিলে যে, পিতৰ আৰু যোহন যীচুৰ লগত আছিল। ১৪ সেই সুস্থ হোৱা লোক জন তেওঁলোকৰ মাজত থিয় হৈ থকা দেখি, ইহুদী নেতা সকলে পিতৰ আৰু যোহনৰ বিৰুদ্ধে একো কব নোৱাৰিলে। ১৫ তেওঁলোকে পাঁচনি সকলক সভা কক্ষৰ পৰা ওলাই যাবলৈ আজ্ঞা দিলে আৰু নিজৰ মাজতে আলোচনা কৰি ক'লে- ১৬ "এই লোক সকলক লৈ কি কৰা যায়? এওঁলোকে যে এক আচৰিত কাম কৰিলে যিৰূচালেমত থকা সকলোৱে জানিছে আৰু আমিও তাক অস্বীকাৰ কৰিব নোৱাৰোঁ। ১৭ কিন্তু মানুহৰ মাজত যেন এই কথা বিয়পি নাযায়, সেই কাৰণে এওঁলোকক এই নামেৰে আন লোকৰ আগত কোনো কথা নকবলৈ আমি সাৱধান কৰি দিওঁহক"। ১৮ তেতিয়া তেওঁলোকে পিতৰ আৰু যোহনক মাতি আনি, যীচুৰ নামেৰে কোনো কথা নকবলৈ আৰু উপদেশ নিদিবলৈ আজ্ঞা দিলে। ১৯ কিন্তু পিতৰ আৰু যোহনে উত্তৰত তেওঁলোকক ক'লে- "আপোনালোকেই বিচাৰ কৰি কওক 'ঈশ্বৰৰ আজ্ঞা অমান্য কৰা বা আপোনালোকৰ আজ্ঞা পালন কৰা' ইয়াৰ ভিতৰত কোনটো বিষয় আমি পালন কৰা

উচিত হব? ২০ কিয়নো আমি যিবোৰ দেখিলোঁ আৰু শুনিলো, সেই
বিষয়বোৰ নোকোৱাকৈ থাকিব নোৱাৰোঁ"। ২১ পাছত পুনৰবাৰ সতৰ্ক
কৰি পিতৰ আৰু যোহনক যাবলৈ এৰি দিলে। কিয়নো তেওঁলোকে
পিতৰ আৰু যোহনক শাস্তি দিবলৈ একো উপায় নাপালে, ইয়াৰ উপৰি
তেওঁলোকে কৰা কাৰ্যবোৰ দেখি লোক সকলে ঈশ্বৰৰ স্তুতি কৰি
আছিল৷ ২২ আৰু যি জন লোক সুস্থ হৈছিল, সেই মানুহজনৰ বয়স
চল্লিশ বছৰৰ বেচি আছিল। ২৩ পিতৰ আৰু যোহনক এৰি দিয়াৰ
পাছত, তেওঁলোক সঙ্গী সকলৰ ওচৰলৈ গ'ল আৰু প্ৰধান পুৰোহিত,
পৰিচাৰক সকলে যি যি কৈছিল, সেই সকলোবোৰ কথা তেওঁলোকক
জনালে। ২৪ এইবোৰ কথা শুনি সকলোৱে একেলগে উচ্চস্বৰে ঈশ্বৰৰ
উদ্দেশ্যে প্ৰাৰ্থনা কৰিলে, "প্ৰভু, আকাশমণ্ডল, পৃথিৱী, সাগৰ আৰু এই
সকলোৰে মাজত যি যি আছে, সকলোৰে সৃষ্টিকৰ্তা তুমিয়েই। ২৫ তুমি
তোমাৰ দাস, আমাৰ পিতৃপুৰুষ দায়ুদৰ মুখেৰে পবিত্ৰ আত্মাৰ দ্বাৰা
এই কথা কৈছিলা, জাতিবোৰ কিয় ক্ৰুদ্ধ হ'ল? সকলো লোকে কিয়
অসাৰ চিন্তা কৰে? ২৬ ঈশ্বৰ আৰু তেওঁৰ অভিষিক্ত জনৰ বিৰুদ্ধে
জগতৰ ৰজা সকল একেলগে উঠিছে, শাসনকৰ্তা সকল একগোট
হৈছে। ২৭ হয়, এই নগৰতে তুমি অভিষিক্ত কৰা তোমাৰ পবিত্ৰ দাস
যীচুৰ বিৰুদ্ধে হেৰোদ আৰু পন্তীয় পীলাত; অনা-ইহুদী আৰু ইস্ৰায়েলী
সকলৰ সৈতে একেলগ হৈছিল। ২৮ তোমাৰ হাতেৰে আৰু তোমাৰ
ইচ্ছাত যি ঘটিব বুলি তুমি পূৰ্বতে ঠিক কৰিছিলা, সেই কাৰ্য সিদ্ধ
হ'বলৈকে তেওঁলোক একত্ৰিত হ'ল।। ২৯ হে প্ৰভু, এতিয়া তেওঁলোকৰ
এই ভীতি প্ৰদৰ্শন শুনা! তোমাৰ দাস সকলক তোমাৰ বাক্য অতি
সাহসেৰে কবলৈ অনুগ্ৰহ দান কৰা। ৩০ তোমাৰ পবিত্ৰ দাস যীচুৰ
নামেৰে সুস্থ কৰিবলৈ, আচৰিত কাৰ্য আৰু চিন দেখুৱাবলৈ তুমি
তোমাৰ হাত আগবঢ়াই দিয়া"। ৩১ এনেদৰে প্ৰাৰ্থনা কৰাৰ পাছত,
যি ঠাইত তেওঁলোক গোট খাই আছিল; সেই ঠাই কঁপিবলৈ ধৰিলে
আৰু সকলোৱে পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হ'ল। তাৰ পাছত তেওঁলোকে
ঈশ্বৰৰ বাক্য সাহসেৰে কবলৈ ধৰিলে। ৩২ বিশ্বাসী সকল মনে-প্ৰাণে
এক হৈ আছিল। তেওঁলোকৰ কোনেও নিজৰ সম্পত্তিক নিজৰ বুলি

দাবী নকৰিলে, বৰং তেওঁলোকে আটাই বস্তু উমৈহতীয়াকৈ ৰাখিলে।
৩৩ পাঁচনি সকলে মহান শক্তিৰ প্ৰভাৱেৰে প্ৰভু যীচুৰ পুনৰুত্থানৰ
সাক্ষ্য দিলে আৰু তেওঁলোক সকলোৱে মহা অনুগ্ৰহ প্ৰাপ্ত হল। ৩৪
তেওঁলোকৰ মাজত কোনো এজনৰে একো অভাৱ নাছিল, কিয়নো যি
সকলৰ ঘৰ-বাৰী বা মাটি আছিল, তেওঁলোকে সেইবোৰ বেচি সেই
সম্পত্তিৰ মূল্য আনি পাঁচনি সকলৰ চৰণত থৈছিল। ৩৫ পাছত বিশ্বাসী
সকলৰ যাৰ যেনেকৈ প্ৰয়োজন, তেনেকৈ পাঁচনি সকলে সকলোকে
ভগাই দিয়ে। ৩৬ যোচেফ নামৰ লেবী বংশৰ এজন মানুহ আছিল।
তেওঁ কুপ্ৰ দ্বীপৰ পৰা আহিছিল আৰু পাঁচনি সকলে তেওঁক বাৰ্ণব্বা বুলি
মাতিছিল। এই নামৰ অৰ্থ "উৎসাহদাতা"।। ৩৭ যোচেফৰ এডোখৰ
মাটি আছিল। তেওঁ সেই মাটি বেচি পোৱা ধন পাঁচনি সকলৰ চৰণত
আনি থলে।

৫ তেতিয়া অননিয় নামেৰে এজন লোক আৰু তেওঁৰ ভাৰ্যা চফীৰাই
এডোখৰ মাটি বিক্ৰী কৰিলে৷ ২ অননিয়ই তেওঁৰ ভাৰ্যাৰ জ্ঞাতসাৰেই
সেই ধনৰ কিছু অংশ নিজলৈ লুকাই ৰাখি, এক অংশ আনি পাঁচনি
সকলৰ চৰণত থলে। ৩ তেতিয়া পিতৰে তেওঁক কলে- "হে অননিয়,
পবিত্ৰ আত্মাৰ ওচৰত মিছা মাতিবলৈ চয়তানক তুমি কিয় তোমাৰ
হৃদয়ত কাৰ্য কৰিবলৈ দিলা? কিয় তুমি মাটি বেছা ধনৰ কিছু অংশ
নিজলৈ লুকাই ৰাখিলা? ৪ সেই মাটি যেতিয়া বিক্ৰী হোৱা নাছিল,
তেতিয়া সেই মাটি জানো তোমাৰেই ক্ষমতাৰ অধীনত নাছিল? এতিয়া
বেচাৰ পাছতো তুমিয়েই সেই ধনৰ গৰাকী নাছিলানে? তেনেহলে
এনে কাম কৰিবলৈ তুমি তোমাৰ মনত কেনেকৈ ঠিৰাং কৰিলা? তুমি
মানুহৰ আগত নহয়, ঈশ্বৰৰ আগতহে মিছা কথা ক'লা"। ৫ এই
কথা শুনাৰ লগে লগে অননিয়ই মাটিত পৰি প্ৰাণ ত্যাগ কৰিলে।
যিবোৰ মানুহে এই কথা শুনিলে, তেওঁলোকে বৰ ভয় খালে।। ৬
পাছত যুৱক সকল আগবাঢ়ি আহি তেওঁক কাপোৰেৰে মেৰিয়াই
বাহিৰলৈ নি মৈদাম দিলে। ৭ প্ৰায় তিনি ঘন্টা মানৰ পাছত, অননিয়ৰ
স্ত্ৰী চাফীৰা সেই ঠাইলৈ আহিল৷ কিন্তু কি ঘটিল, সেই বিষয়ে তেওঁ
নাজানিলে। ৮ পিতৰে তেওঁক সুধিলে- "কোৱাছোন, তোমালোকে

বাৰু এই মাটি ইমান টকাতে বেচিলা নে?” তেতিয়া তেওঁ কলে, “হয়
ইমানতে বেচা হল।” ৯ তেতিয়া পিতৰে চাফীৰাক কলে, “প্ৰভুৰ
আত্মাক পৰীক্ষা কৰিবলৈ তোমালোকে কেনেকৈ একমত হলা? চোৱা,
যি সকলে তোমাৰ স্বামীক মৈদাম দিব গৈছিল; তেওঁলোক আহি
দুৱাৰৰ ওচৰ পাইছেহি, তেওঁলোকে তোমাকো বাহিৰলৈ লৈ যাব।” ১০
তেতিয়াই পিতৰৰ চৰণত পৰি চফীৰাই প্ৰাণ ত্যাগ কৰিলে। যুৱক
সকলে ভিতৰলৈ আহি, চাফীৰাকো মৃত দেখিলে৷ তেতিয়া তেওঁকো
বাহিৰলৈ নি তেওঁৰ স্বামীৰ কাষতে মৈদাম দিলে। ১১ মণ্ডলীৰ সকলো
লোকে যেতিয়া এই কথা শুনিলে, তেওঁলোকে অতিশয় ভয় খালে। ১২
পাছত পাঁচনি সকলৰ দ্বাৰাই মানুহৰ মাজত অনেক চিন আৰু আচৰিত
কাৰ্য হবলৈ ধৰিলে। তেওঁলোক সকলোৱে চলোমনৰ বাৰাণ্ডাত গোট
খাইছিল। তেওঁলোকৰ উদ্দেশ্যও একে আছিল। ১৩ যদিও সকলোৱে
তেওঁলোকক সমাদৰ কৰিলে, তথাপি আন লোক সকলে তেওঁলোকৰ
মাজত সোমাবলৈ সাহস নকৰিলে। ১৪ কিন্তু ইয়াৰ মাজৰে অনেক
পুৰুষ আৰু মহিলাই বিশ্বাস কৰি প্ৰভুৰ বিশ্বাসত যোগ দিলে। ১৫ ইয়াৰ
উপৰি লোক সকলে পিতৰ অহা-যোৱা কৰোঁতে তেওঁৰ ছাঁ যেন ৰোগী
সকলৰ গাত পৰে, এই আশাৰে ৰোগী সকলক বিচনা আৰু খাটত
তুলি বাটৰ কাষত থলেহি। ১৬ যিৰূচালেমৰ ওচৰ-পাজৰৰ নগৰৰ
পৰা বহু মানুহে ৰুগীয়া আৰু অশুচি আত্মাই ধৰা লোক সকলক লৈ
আহিল আৰু তেওঁলোকক সুস্থ কৰা হ’ল। ১৭ কিন্তু মহা-পুৰোহিত আৰু
তেওঁৰ লগৰ অৰ্থাৎ চদ্দূকী দলৰ লোক সকল ঈৰ্ষাত জ্বলি উঠিল ১৮
তেওঁলোকে পাঁচনি সকলক ধৰি আনি ৰাইজৰ কাৰাগাৰত বন্দী কৰি
থলে। ১৯ কিন্তু ৰাতি হলত প্ৰভুৰ এজন দূত আহি বন্দীশালৰ দুৱাৰ
খুলি তেওঁলোকক বাহিৰলৈ যাব দি কলে, ২০ “যোৱা, তোমালোকে গৈ
মন্দিৰত থিয় হৈ, অনন্ত জীৱনৰ সকলো কথা লোক সকলৰ আগত
কোৱাগৈ”। ২১ আজ্ঞা অনুসাৰে তেওঁলোকে ৰাতিপুৱাতে মন্দিৰত
সোমাই উপদেশ দিলে। আনফালে মহা-পুৰোহিত আৰু তেওঁৰ সংগী
সকলে আহি ইস্ৰায়েলী সকলৰ জেষ্ঠ লোকৰ এক মহাসভা মাতিলে
আৰু পাঁচনি সকলক বন্দীশালৰ পৰা আনিবলৈ মানুহ পঠালে। ২২

কিন্তু সেই বিষয়া সকলে বন্দীশাললৈ গৈ তেওঁলোকক দেখা নাপালে
আৰু উভতি আহি ক'লে, ২৩ "আমি বন্দীশালৰ দুৱাৰ টানকৈ বান্ধি
থোৱা দেখিলোঁ আৰু ৰখীয়াবোৰেও দুৱাৰত থিয় হৈ আছে; কিন্তু
দুৱাৰ খুলি ভিতৰত তেওঁলোকক দেখা নাপালোঁ।" ২৪ এই কথা শুনি
মন্দিৰৰ সেনাধিপতি আৰু প্ৰধান পুৰোহিত সকলে ইয়াৰ পৰিণতি কি
হব বুলি ভাবি হতবুদ্ধি হ'ল। ২৫ তেনেতে কোনোবা এজনে আহি
জনালে যে, "আপোনালোকে যি সকল মানুহক বন্দীশালত থৈছিল,
সেই মানুহবোৰে মন্দিৰত থিয় হৈ লোক সকলক উপদেশ দি আছে।"
২৬ তেতিয়া সেনাপতি জনে তেওঁৰ লোক সকলৰ সৈতে সেই ঠাইলৈ গৈ
পাঁচনি সকলক লৈ আহে। তাতে মানুহবোৰে পাথৰ মাৰিব পাৰে বুলি
ভয় খাই তেওঁলোকে পাঁচনি সকলক কোনো বেয়া ব্যৱহাৰ নকৰিলে।
২৭ পাছত তেওঁলোকক আনি সভাত উপস্থিত কৰোঁতে, মহা-পুৰোহিতে
তেওঁলোকক প্ৰশ্ন কৰিলে, ২৮ "এই নামেৰে উপদেশ নিদিবলৈ আমি
তোমালোকক কঠোৰ আজ্ঞা দিছিলোঁ; তথাপি তোমালোকে নিজৰ
শিক্ষাৰে যিৰূচালেম পূৰ্ণ কৰিছা আৰু সেই মানুহৰ ৰক্তপাতৰ বাবে
আমাক দোষী কৰিব বিচাৰিছা।" ২৯ তেতিয়া পিতৰ আৰু আন পাঁচনি
সকলে উত্তৰ দি কলে, "আমি মানুহৰ নহয়, ঈশ্বৰৰহে আজ্ঞা মনা
উচিত। ৩০ যি জনক আপোনালোকে কাঠত ওলোমাই হত্যা কৰিলে,
আমাৰ পূৰ্ব-পুৰুষ সকলৰ ঈশ্বৰে সেই জন যীচুক মৃত্যুৰ পৰা জীয়ালে।
৩১ সেই যীচুক ঈশ্বৰে ৰজা আৰু ত্ৰাণকৰ্তা হিচাপে নিজৰ সোঁ হাতে
বহুৱাই উন্নত কৰিলে, যাতে ইস্ৰায়েলী সকলে মন-পালটন কৰে আৰু
যীচুৰে যেন তেওঁলোকৰ পাপ ক্ষমা কৰিব পাৰে। ৩২ এই কথাৰ আমি
সাক্ষী আছোঁ আৰু যি সকল ঈশ্বৰৰ বাধ্য হয়, ঈশ্বৰে তেওঁলোকক
যি পবিত্ৰ আত্মা দিছে, সেই পবিত্ৰ আত্মাও ইয়াৰ সাক্ষী।" ৩৩ এই
কথা শুনি মহাসভাৰ সভ্যসকল খঙত জ্বলি উঠিল আৰু পাঁচনি সকলক
বধ কৰিবলৈ বিচাৰিলে। ৩৪ কিন্তু তেতিয়া গমলীয়েল নামৰ এজন
ফৰীচী, যি জন সকলো মানুহৰে সন্মানিত বিধানৰ এজন অধ্যাপক,
তেওঁ থিয় হ'ল আৰু পাঁচনি সকলক অলপ সময়ৰ কাৰণে বাহিৰলৈ
নিবৰ বাবে নিৰ্দেশ দিলে। ৩৫ তাৰ পাছত তেওঁ ক'লে, "হে ইস্ৰায়েলী

সকল, এই লোক সকলক লৈ আপোনালোকে যি কৰিবলৈ গৈছে, সেই
বিষয়ে সাৱধান হওক। ৩৬ কিয়নো কিছুদিনৰ আগেয়ে থুদা নামৰ
এজনে আহি, নিজকে বৰ এজন বুলি দাবী কৰিছিল আৰু কম-বেচি
পৰিমাণে প্ৰায় চাৰি শ মানুহে থুদাৰ লগ হৈছিল। তেওঁক বধ কৰা হ'ল
আৰু তেওঁৰ অনুগামীবোৰও সিচঁৰিত হৈ কোনো চিন-চাব নোহোৱা
হ'ল। ৩৭ এই মানুহ জনৰ পাছত, লোক পিয়লৰ সময়ত যিহূদা নামৰ
গালীলীয়া এজন ওলাল আৰু তেওঁ ভালেমান মানুহক নিজৰ ফাললৈ
আনিলে; তেৰোঁ নিহত হোৱাত তেওঁৰ অনুগামী সকলো ছিন্ন-ভিন্ন হৈ
গ'ল। ৩৮ এতিয়া মই আপোনালোকক কওঁ, এই লোক সকলৰ পৰা
দূৰৈত থাকক আৰু তেওঁলোকক এৰি দিয়ক; কিয়নো এই পৰিকল্পনা
বা কৰ্ম যদি মানুহৰ পৰা হয়, তেনেহলে ই ব্যৰ্থ হব৷ ৩৯ কিন্তু যদিহে
ঈশ্বৰৰ পৰা হয়, তেনেহলে আপোনালোকে তেওঁলোকক বন্ধ কৰিব
নোৱাৰিব। হয়তো দেখিব যে, আপোনালোকে ঈশ্বৰৰ বিৰুদ্ধেই যুদ্ধ
কৰিছে।" তেতিয়া, তেওঁলোকে এই পৰামৰ্শ গ্ৰহন কৰিলে। ৪০ তাৰ
পাছত তেওঁলোকে পাঁচনি সকলক ভিতৰলৈ মাতি আনি কোবাই, যীচুৰ
নামেৰে কোনো কথা নকবলৈ আদেশ দি যাবলৈ দিলে। ৪১ পাঁচনি
সকলে যীচুৰ নামত অপমান পোৱাৰ যোগ্য হোৱাৰ কাৰণে আনন্দিত
হৈ মহাসভাৰ পৰা গুছি গল। ৪২ ইয়াৰ পাছত তেওঁলোকে প্ৰতিদিনে
মন্দিৰত আৰু সকলো ঘৰতে গৈ শিক্ষা দিবলৈ ধৰিলে আৰু যীচুৰেই যে
খ্ৰীষ্ট এই কথা প্ৰচাৰ কৰি থাকিল।

**৬** সেই সময়ত শিষ্য সকলৰ সংখ্যা দিনে দিনে বৃদ্ধি হৈ আছিল।
গ্ৰীকভাষী ইহুদী সকলে স্থানীয় ইব্ৰী ভাষী ইহুদী সকলৰ বিৰুদ্ধে
অভিযোগ আনিলে যে, খাদ্য বিতৰণৰ সময়ত প্ৰতিদিনে তেওঁলোকৰ
বিধৱা সকলক অৱহেলা কৰা হৈছে। ২ তেতিয়া বাৰ জন পাঁচনিয়ে
সকলো শিষ্যকে মাতি আনি কলে- "আমাৰ কাৰণে ঈশ্বৰৰ বাক্য
অৱহেলা কৰি ভোজনৰ পৰিচৰ্যা কৰা কামত লাগি থকা সঠিক কাৰ্য
হোৱা নাই। ৩ এই কাৰণে হে ভাই সকল, আপোনালোকে নিজৰ
মাজৰ পৰা সাত জন সুখ্যাতি সম্পন্ন আৰু পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ,
জ্ঞানী লোকক বাছি লওঁক। আমি তেওঁলোকৰ ওপৰত এই কামৰ ভাৰ

দিম। ৪ ইয়াৰ পাছত আমি প্ৰাৰ্থনা আৰু ঈশ্বৰৰ বাক্যৰ পৰিচৰ্যাত
সদায় লাগি থাকিব পাৰিম।” ৫ তেওঁলোকৰ এই প্ৰস্তাৱ শুনি সকলোৱে
সন্তোষ পালে আৰু তেওঁলোকে তেতিয়া এই লোক সকলক মনোনীত
কৰিলে - স্তিফান, তেওঁ বিশ্বাসী আৰু পবিত্ৰ আত্মাৰে পূৰ্ণ আছিল;
ফিলিপ, প্ৰখৰ, নিকানৰ, তীমোন, পাৰ্মিনা আৰু আন্তিয়খিয়াৰ নিকলায়
এই ব্যক্তি জনে ইহুদী ধৰ্ম গ্ৰহণ কৰিছিল। ৬ বিশ্বাসী সকলে এই
সাত জন লোকক পাঁচনি সকলৰ আগলৈ আনিলে আৰু পাঁচনি সকলে
প্ৰাৰ্থনা কৰি তেওঁলোকৰ ওপৰত হাত দিলে। ৭ তাৰ পাছত ঈশ্বৰৰ
বাক্য চৌদিশে বিয়পি গল আৰু শিষ্য সকলৰ সংখ্যা যিৰূচালেমত
দ্ৰুতগতিত বৃদ্ধি পাবলৈ ধৰিলে। ইয়াৰ উপৰি ইহুদী পুৰোহিত সকলৰ
মাজৰ অনেকে খ্ৰীষ্টীয় বিশ্বাসৰ অনুগামী হৈ শৰণ ললে। ৮ স্তিফানে
ঈশ্বৰৰ অনুগ্ৰহ আৰু শক্তিৰে পৰিপূৰ্ণ হৈ লোক সকলৰ মাজত বহু
অলৌকিক আৰু আচৰিত কাৰ্য কৰিবলৈ ধৰিলে। ৯ কিন্তু লিবৰ্ত্তীন
নামৰ সমাজৰ কেইজনমান ব্যক্তিৰ লগতে কুৰীণীয়, আলেকজেন্দ্ৰিয়া,
কিলিকিয়া আৰু এচিয়া, এই ঠাই সমূহৰ পৰা অহা কিছুমান ব্যক্তিয়ে
স্তিফানৰ সৈতে তৰ্ক কৰিলে। ১০ কিন্তু স্তিফানে যি জ্ঞান আৰু আত্মাৰে
কথা কলে, সেই কথাক তেওঁলোকে প্ৰতিৰোধ কৰিব নোৱাৰিলে। ১১
তেতিয়া তেওঁলোকে কিছুলোকক গুপুতে উচটাই এই বুলি কবলৈ দিলে
যে, “আমি শুনিছোঁ স্তিফানে মোচি আৰু ঈশ্বৰক নিন্দা কৰিছে।” ১২
এনেদৰে তেওঁলোকে জনসাধাৰণ, পৰিচাৰক আৰু বিধানৰ অধ্যাপক
সকলক উত্তেজিত কৰি তুলিলে আৰু তেওঁলোকে স্তিফানক ধৰি
মহাসভালৈ আনিলে। ১৩ তেওঁলোকে মিছা সাক্ষী দি থিয় কৰালে আৰু
ক'লে, “এই মানুহ জনে পবিত্ৰ স্থান আৰু বিধানৰ বিৰুদ্ধে কথা কবলৈ
নেৰে। ১৪ কিয়নো আমি তেওঁক কোৱা শুনিছো যে, এই নাচৰতীয়া
যীচুৱে এই ঠাই নষ্ট কৰিব আৰু মোচিয়ে আমাক দিয়া বিধানও সলনি
কৰিব।” ১৫ তেতিয়া সভাত বহা সকলোৱে তেওঁলৈ একেথৰে চাই
থাকিল আৰু স্তিফানৰ মুখ স্বৰ্গৰ দূতৰ মুখৰ নিচিনা দেখিলে।

**৭** তেতিয়া মহা-পুৰোহিতে স্তিফানক সুধিলে- “এইবোৰ কথা সঁচা
নেকি?” ২ স্তিফানে ক'লে- “হে ভাই সকল আৰু পিতৃ সকল, মোৰ কথা

শুনক। আমাৰ পূৰ্ব-পুৰুষ অব্ৰাহাম হাৰোণত বসবাস কৰাৰ আগেয়ে যেতিয়া মেচোপতেমিয়াত আছিল, সেই সময়ত গৌৰৱময় ঈশ্বৰে তেওঁক দেখা দি ক'লে- ৩ "তুমি তোমাৰ দেশ আৰু জ্ঞাতি-কুটুম্বক এৰি, মই যি দেশ তোমাক দেখুৱাম, সেই দেশলৈ যোৱা।" ৪ তেতিয়া তেওঁ কলদিয়া সকলৰ দেশ এৰি হাৰোণ নগৰলৈ আহি বসতি কৰিলে। পাছত তেওঁৰ পিতৃৰ মৃত্যু হোৱাত আপোনালোকে এতিয়া বসতি কৰা এই দেশলৈ ঈশ্বৰে সেই ঠাইৰ পৰা তেওঁক আনিলে। ৫ নিজৰ অধিকাৰৰ কাৰণে ঈশ্বৰে তেওঁক একোকে নিদিলে; এনে কি এখোজ মাটিও নিদিলে। কিন্তু তেওঁক আৰু তেওঁৰ ভাবীবংশৰ অধিকাৰৰ অৰ্থে ঈশ্বৰে এই দেশ দিব বুলি প্ৰতিজ্ঞা কৰিলে; যদিও অব্ৰাহামৰ সেই সময়লৈকে কোনো সন্তান নাছিল। ৬ ঈশ্বৰে তেওঁক এইদৰে কৈছিল, "তোমাৰ বংশধৰ সকলে বিদেশত প্ৰৱাস কৰিব৷ সেই দেশৰ মানুহে তেওঁলোকক চাৰি শ বছৰ ধৰি দাসত্বৰ বন্ধনত ৰাখিব আৰু অত্যাচাৰ কৰিব।" ৭ ঈশ্বৰে ইয়াকো কলে, "তেওঁলোকে যি জাতিৰ দাসত্ব খাটিব, মই সেই জাতিৰ সোধ-বিচাৰ কৰিম; তাৰ পাছত তেওঁলোকে ওলাই আহি এই ঠাইতে মোৰ সেৱা উপাসনা কৰিব।" ৮ ইয়াৰ পাছত ঈশ্বৰে অব্ৰাহামক চুন্নৎ কৰাৰ বিধান দিলে। সেয়েহে, অব্ৰাহামে নিজৰ পুত্ৰ ইচহাক জন্ম হোৱাত, আঠ দিনৰ দিনা তেওঁৰ চুন্নৎ কৰালে। পাছত ইচহাকৰ পুত্ৰ যাকোব আৰু যাকোবৰ পুত্ৰ বাৰ জন গোষ্ঠীৰ পিতৃকুল হ'ল। ৯ পাছত সেই পিতৃকুল সকল যোচেফৰ প্ৰতি ঈৰ্ষান্বিত হৈ তেওঁক মিচৰ দেশলৈ বেচিলে, কিন্তু ঈশ্বৰ তেওঁৰ সঙ্গী আছিল। ১০ সকলো ক্লেশৰ পৰা ঈশ্বৰে উদ্ধাৰ কৰি তেওঁক মিচৰ দেশৰ ৰজা ফৌৰণেৰ সাক্ষাতে অনুগ্ৰহ আৰু জ্ঞান দান কৰিলে। তাতে ফৰৌণে তেওঁক মিচৰ দেশৰ আৰু নিজ গৃহৰ অধিকাৰী পাতিলে। ১১ গোটেই মিচৰ আৰু কনান দেশত ভীষণ আকাল হোৱাত, মহাক্লেশ হ'ল আৰু আমাৰ পিতৃপুৰুষ সকলৰ খাদ্য বস্তুৰ অভাৱ হ'ল। ১২ কিন্তু যাকোবে মিচৰ দেশত শস্য থকাৰ বাৰ্তা পাই, প্ৰথমতে আমাৰ পিতৃপুৰুষ সকলক তালৈ পঠালে। ১৩ দ্বিতীয় বাৰ যোৱাত যোচেফে ককায়েক সকলৰ ওচৰত নিজৰ পৰিচয় দিলে আৰু ফৌৰণেও যোচেফৰ পৰিয়ালৰ

বিষয়ে জ্ঞাত হ'ল। ১৪ তেতিয়া যোচেফে তেওঁৰ ককায়েক সকলক পিতৃ
যাকোব আৰু জ্ঞাতি-কুতুম্ব সকলক মিচৰ দেশলৈ আনিবলৈ উভটাই
পঠালে; তেওঁলোক মুঠ পয়সত্তৰ জন আছিল। ১৫ তাতে যাকোব মিচৰ
দেশলৈ গ'ল। সেই ঠাইতে তেওঁৰ আৰু আমাৰ পিতৃপুৰুষ সকলো
মৰিল। ১৬ তেওঁলোকৰ দেহ চিখিমলৈ নি মৈদাম দিয়া হ'ল; সেই
মৈদাম অব্ৰাহামে চিখিমত হমোৰৰ পুতেকহঁতৰ পৰা ধন দি কিনিছিল।
১৭ ঈশ্বৰে অব্ৰাহামৰ আগত শপত কৰি যি প্ৰতিজ্ঞা কৰিছিল, সেই
প্ৰতিজ্ঞা পূৰ্ণ হোৱাৰ সময় ওচৰ হোৱাত; মিচৰত তেওঁৰ লোক সকল
বৃদ্ধি পাই বিস্তাৰিত হল। ১৮ তাৰ পাছত মিচৰত আন এজন ৰজা
আহিল। তেওঁ যোচেফৰ সম্বন্ধে নাজানিছিল। ১৯ সেই জন ৰজাই
আমাৰ জাতিৰ লোক সকলক প্ৰৱঞ্চনা কৰি আমাৰ পূৰ্ব-পুৰুষ সকলৰ
প্ৰতি কু-ব্যৱহাৰ কৰিলে। এনে কি শিশুবোৰ জীয়াই নাথাকিবলৈ
তেওঁলোকৰ নৱজাত কেচুঁৱাবোৰ বাহিৰত পেলাই দিবলৈ দিলে। ২০
সেই সময়তে মোচিৰ জন্ম হ'ল। তেওঁ ঈশ্বৰৰ দৃষ্টিত অতি সুন্দৰ
আছিল৷ তিনি মাহলৈকে তেওঁ পিতৃৰ গৃহত প্ৰতিপালিত হৈছিল। ২১
পাছত তেওঁক বাহিৰলৈ পেলাই দিয়াত, ফৌৰণৰ জীয়েকে তেওঁক
তুলি নি নিজৰ পুত্ৰ স্বৰূপে প্ৰতিপালন কৰিলে। ২২ মোচি মিচৰীয়া
সকলৰ সকলো বিদ্যাত শিক্ষিত হৈ উঠিল। বাক্য আৰু কাৰ্যত তেওঁ
মহা-ক্ষমতাশালী হল। ২৩ যেতিয়া মোচিৰ বয়স প্ৰায় চল্লিশ বছৰ,
তেতিয়া তেওঁ নিজৰ ইস্ৰায়েলী ভাই সকলক চাবলৈ মন কৰিলে।
২৪ এজন ইস্ৰায়েলী লোকক অন্যায় ব্যৱহাৰ কৰা দেখি, মোচিয়ে
ইস্ৰায়েলী জনৰ পক্ষক সমৰ্থন কৰিলে আৰু মিচৰীয়া জনক প্ৰহাৰ কৰি
সেই অন্যায় ব্যৱহাৰৰ প্ৰতিকাৰ কৰিলে। ২৫ মোচিয়ে ভাৱিছিল যে,
তেওঁৰ স্বজাতীয় ভাই সকলে হয়তো বুজিব ঈশ্বৰে যে তেওঁৰ হতুৱাই
তেওঁলোকক মুক্ত কৰিব কিন্তু তেওঁলোকে নুবুজিলে। ২৬ পাছদিনা খন
দুজন ইস্ৰায়েলীয়ে নিজৰ মাজত যেতিয়া কাজিয়া কৰিছিল, তেতিয়া
তেওঁ ওচৰলৈ গৈ তেওঁলোকক মিলন কৰিবৰ কাৰণে কলে, 'হে লোক
সকল, তোমালোক পৰস্পৰে ভাই হৈ, ইজনে সিজনৰ প্ৰতি কিয়
অন্যায় ব্যৱহাৰ কৰিছা?' ২৭ কিন্তু যি জনে নিজৰ নিকটৱৰ্তীজনক

অন্যায় ব্যৱহাৰ কৰিছিল, তেওঁ মোচিক ঠেলা মাৰি আতৰাই কলে 'আমাৰ ওপৰত কোনে তোমাক শাসনকৰ্তা আৰু বিচাৰক পাতিলে?
২৮ কালি যেনেকৈ মিচৰীয়া জনক বধ কৰিলা, তেনেকৈ মোকো বধ কৰিব খোজা নে?'
২৯ এই কথা শুনি মোচি মিদিয়ন দেশলৈ পলাই গৈ তাত প্ৰবাসী ৰূপে থাকিল আৰু সেই ঠাইতে তেওঁৰ দুজন পুত্ৰৰ জন্ম হ'ল।
৩০ এনেদৰে চল্লিশ বছৰ পূৰ্ণ হ'ল। চীনয় পৰ্বতৰ ওচৰৰ অৰণ্যত এক জ্বলন্ত জোপোহাৰ শিখাৰ মাজত ঈশ্বৰৰ দূতে তেওঁক দৰ্শন দিলে।
৩১ এই দৰ্শন দেখি মোচি আচৰিত হ'ল আৰু ভালদৰে চাবলৈ যেতিয়া ওচৰ চাপি গ'ল, তেতিয়া প্ৰভুৰ এই বাণী শুনিলে-
৩২ 'মই তোমাৰ পিতৃপুৰুষ সকলৰ ঈশ্বৰ; অব্ৰাহাম, ইচহাক আৰু যাকোবৰ ঈশ্বৰ।' মোচি ভয়তে কঁপিবলৈ ধৰিলে আৰু সেই জলন্ত জোপোহাটো চাবলৈও সাহস নকৰিলে।
৩৩ পাছত প্ৰভুৱে তেওঁক কলে, 'তোমাৰ ভৰিৰ পৰা পাদুকা সোলোকোৱা। কিয়নো যি ঠাইত তুমি থিয় হৈ আছা, সেয়ে পবিত্ৰ ভূমি।
৩৪ মিচৰ দেশত থকা মোৰ মানুহবোৰৰ দুৰৱস্থা মই নিশ্চয়কৈ দেখিছোঁ আৰু তেওঁলোকৰ আৰ্তনাদও শুনিছো। সেয়েহে তেওঁলোকক উদ্ধাৰ কৰিবলৈ মই নামি আহিলোঁ। এতিয়া আহা, মই তোমাক মিচৰ দেশলৈ পঠাওঁ।'
৩৫ এই জনেই সেই মোচি, যি জনক তেওঁলোকে প্ৰত্যাখান কৰি কৈছিল, 'কোনে তোমাক এজন শাসনকৰ্তা আৰু বিচাৰক পাতিলে?' তেৱেঁই সেই জন, যি জনক ঈশ্বৰে শাসনকৰ্তা আৰু উদ্ধাৰকৰ্ত্তা স্বৰূপে স্বৰ্গৰ দূতৰ দ্বাৰা জোপোহাৰ মাজত দেখা দি পঠাই দিলে।
৩৬ মোচিয়ে মিচৰ দেশত, লোহিত সাগৰত আৰু মৰুভুমিৰ মাজত চল্লিশ বছৰলৈকে নানা অদ্ভুত লক্ষণ আৰু আচৰিত চিন দেখুৱাই তেওঁলোকক মিচৰৰ পৰা বাহিৰ কৰি আনিলে।
৩৭ এই জন মোচিয়েই ইস্ৰায়েলী ভাই সকলক কৈছিল, "ঈশ্বৰে তোমালোকৰ মাজৰ পৰা মোৰ নিচিনা এজন ভাববাদী উৎপন্ন কৰিব"।
৩৮ তেৱেঁই মৰুপ্ৰান্তত আমাৰ পূৰ্ব-পুৰুষ সকলৰ সৈতে এক সহভাগীতাত আছিল৷ চীনয় পৰ্বতত স্বৰ্গৰ দূতে তেওঁৰ সৈতেই কথা কৈছিল আৰু তেৱেঁই আমাক জনাবলৈ জীৱনময় বাক্য পাইছিল।
৩৯ এই জনে আমাৰ ওপৰ-পিতৃ, যি জনৰ কথা আমাৰ পূৰ্ব-পুৰুষ সকলে

মানিবলৈ অসন্মত হৈ, তেওঁক অগ্ৰাহ্য কৰিছিল আৰু মিচৰ দেশলৈ
উভতি যাবলৈ মনস্থ কৰিছিল। ৪০ সেই সময়ত তেওঁলোকে হাৰোণক
কলে, “মোচিয়ে আমাক মিচৰ দেশৰ পৰা বাহিৰ কৰি আনিলে; কিন্তু
তেওঁৰ কি হ’ল আমি তাক নাজনো। গতিকে, আমাক বাট দেখুৱাই
নিবলৈ দেৱতাবোৰৰ মূৰ্তি সাজি দিয়ক।” ৪১ তেতিয়া তেওঁলোকে
এটা দামুৰিৰ মূৰ্তি সাজিলে আৰু সেই মূৰ্তিৰ আগত বলিদান উৎসৰ্গ
কৰিলে। তেওঁলোকে নিজ হাতেৰে কৰা কাৰ্যত আনন্দ কৰিবলৈ
ধৰিলে। ৪২ তেওঁলোকৰ এই কাৰ্য দেখি ঈশ্বৰ তেওঁলোকৰ বিমুখ হ’ল;
ঈশ্বৰে তেওঁলোকক আকাশৰ গ্ৰহ, তৰাবোৰক পূজা কৰিবলৈ এৰি
দিলে; ভাববাদী সকলৰ পুস্তকত এইদৰে লিখা আছে, “হে ইস্রায়েল
জাতি, তোমালোকে চল্লিশ বছৰলৈকে মৰুপ্ৰান্তত মোৰ কাৰণে পশু
বলি আৰু নৈবেদ্য উৎসৰ্গ কৰিছিলা নে? ৪৩ তোমালোকে মোলকৰ
তম্বু আৰু ৰিফন দেৱতাৰ তৰাৰ মূৰ্তিবোৰ পূজা কৰিবলৈ সাজিলা, আৰু
সেইবোৰকহে তোমালোকে গ্ৰহণ কৰিলা। সেয়েহে মই তোমালোকক
বাবিল দেশৰ ফালে লৈ যাম।” ৪৪ মৰুপ্ৰান্তত আমাৰ পূৰ্ব-পুৰুষ সকলৰ
ওচৰত সাক্ষ্য-তম্বু আছিল। ঈশ্বৰে মোচিক যি দৰে আজ্ঞা দিছিল আৰু
মোচিয়ে যি আৰ্হি দেখিছিল, সেই আৰ্হিতে এই তম্বু তৈয়াৰ হৈছিল। ৪৫
পৰৱৰ্তীকালত আমাৰ পূৰ্ব-পুৰুষ সকলে যিহোচুৱাৰে সৈতে সেই তম্বু
কঢ়িয়াই এই ঠাইলৈ আনিছিল। সেই সময়ত আমাৰ পূৰ্ব-পুৰুষ সকলৰ
সন্মুখৰ পৰা ঈশ্বৰে অন্য জাতিবোৰক খেদাই দিয়াত তেওঁলোকে
প্ৰৱেশ কৰি এই ঠাই অধিকাৰ কৰিলে। সেই তম্বু দায়ুদৰ দিনলৈকে
এই ঠাইত আছিল। ৪৬ দায়ুদে ঈশ্বৰৰ দৃষ্টিত অনুগ্ৰহ পাই যাকোবৰ
ঈশ্বৰ থাকিবৰ কাৰণে এটি আবাস বনাবলৈ প্ৰাৰ্থনা কৰিলে। ৪৭ কিন্তু
চলোমনেহে তেওঁলৈ এটা গৃহ নিৰ্ম্মাণ কৰিলে। ৪৮ কিন্তু সৰ্বোপৰিজনা
হাতেৰে সজা গৃহবোৰত নাথাকে; এই বিষয়ে ভাববাদীয়ে কৈছিল, ৪৯
“প্ৰভুৱে কৈছে, স্বৰ্গ মোৰ সিংহাসন, আৰু পৃথিৱী মোৰ ভৰি-পীৰা; মোৰ
কাৰণে তুমি কেনেকুৱা গৃহ নিৰ্ম্মাণ কৰিবা? নাইবা, মোৰ জিৰণি লোৱা
ঠায়েই বা কত? ৫০ মোৰ হাতে জানো এই আটাইবোৰ স্রজা নাই?”
৫১ হে ঠৰ-ডিঙীয়া লোক সকল, হৃদয় আৰু কাণৰ চুন্নৎ নোহোৱা লোক,

আপোনালোকে সদায় পবিত্ৰ আত্মাৰ প্ৰতিৰোধ কৰে; পূৰ্ব-পুৰুষ সকলে
যেনেদৰে কৰিছিল, আপোনালোকে সেইদৰেই কৰিছে। ৫২ এনে
কোনোবা ভাববাদী আছিল নে, যি জনক আপোনালোকৰ পূৰ্বপুৰুষ
সকলে নিৰ্যাতন কৰা নাছিল? যি সকল ভাববাদীয়ে ধাৰ্মিক জনৰ
আগমণৰ কথা আগেয়ে কৈছিলে, সেই ভাববাদী সকলকো তেওঁলোকে
হত্যা কৰিলে আৰু এতিয়া আপোনালোকে সেই ধাৰ্মিক জনকো শত্ৰুৰ
হাতত শোধাই দি হত্যা কৰালে। ৫৩ স্বৰ্গৰ দূতবোৰৰ মাধ্যমেদি
আপোনালোকে বিধান পায়ো, সেই বিধান পালন নকৰিলে।” ৫৪
এইবোৰ কথা শুনি মহাসভাৰ সদস্য সকলৰ হৃদয় স্তিফানৰ প্ৰতি
খঙত জ্বলি উঠিল আৰু নিজৰ দাঁত কৰচিলে। ৫৫ কিন্তু তেওঁ পবিত্ৰ
আত্মাৰে পৰিপূৰ্ণ হৈ, স্বৰ্গৰ ফাললৈ একেথৰে চাই ঈশ্বৰৰ মহিমা
দেখিলে; তেওঁ যীচুক ঈশ্বৰৰ সোঁফালে থিয় হৈ থকা দেখিলে। ৫৬
স্তিফানে ক’লে, “চাওক, মই স্বৰ্গৰ দুৱাৰ মুকলি হোৱা আৰু মানুহৰ
পুত্ৰক ঈশ্বৰৰ সোঁফালে থিয় হৈ থকা দেখিছোঁ।” ৫৭ তেতিয়া মহাসভাৰ
সদস্য সকলে নিজৰ কাণত সোপা দি বৰ মাতেৰে চিঞৰি উঠিল আৰু
সকলোৱে একেলগে তেওঁৰ ফালে চোচাঁ ললে। ৫৮ পাছত তেওঁক ধৰি
নগৰৰ বাহিৰলৈ উলিয়াই আনি শিল দলিয়াবলৈ ধৰিলে। সাক্ষীবোৰে
নিজৰ নিজৰ কাপোৰবোৰ চৌল নামৰ এজন ডেকাৰ ভৰিৰ কাষত
থলে। ৫৯ তেওঁলোকে স্তিফানক শিল দলিয়াই থাকোতে, তেওঁ প্ৰভুক
স্মৰণ কৰি কলে, “হে প্ৰভু যীচু, মোৰ আত্মা গ্ৰহণ কৰক।” ৬০ পাছত
তেওঁ আঁঠুকাঢ়ি বৰ মাতেৰে কলে, “হে প্ৰভু, এওঁলোকৰ বিৰুদ্ধে এই
পাপ গণ্য নকৰিব।” ইয়াকে কৈ তেওঁ ঢলি পৰিল আৰু মহা-নিদ্ৰা গ’ল।

**৮** স্তিফানক বধ কৰা কথাত চৌলৰো সন্মতি আছিল। সেই সময়ত
যিৰূচালেমত থকা মণ্ডলীৰ বিৰুদ্ধে বৰ তাড়না হৈছিল আৰু পাঁচনি
সকলৰ বাহিৰে আন বিশ্বাসী সকল সমগ্ৰ যিহূদা আৰু চমৰীয়া দেশৰ
ঠায়ে ঠায়ে সিচঁৰিত হৈ গ’ল। ২ ভক্ত লোক সকলে স্তিফানক মৈদাম
দিলে আৰু তেওঁৰ কাৰণে বৰকৈ ক্ৰন্দন কৰিলে। ৩ কিন্তু চৌলে
ঘৰে ঘৰে গৈ পুৰুষ আৰু মহিলাক বলেৰে ধৰি আনি বন্দীশালত থৈ
মণ্ডলীত উৎপাত কৰিব ধৰিলে। ৪ কিন্তু, যি সকল বিশ্বাসী সিচঁৰিত হৈ

গ'ল, তেওঁলোকে সকলো ঠাইতে শুভবাৰ্তাৰ বাক্য প্ৰচাৰ কৰিলে। ৫
ফিলিপে চমৰীয়া নগৰলৈ গৈ খ্ৰীষ্টৰ কথা ঘোষণা কৰিবলৈ ধৰিলে। ৬
তাতে ফিলিপে কৰা আচৰিত কৰ্মবোৰ শুনি আৰু দেখি লোক সকলে
একান্ত মনেৰে তেওঁৰ কথা শুনিব ধৰিলে। ৭ কিয়নো অশুচি আত্মাই
ধৰা অনেক মানুহৰ পৰা ভূতবোৰে আটাহ পাৰি ওলাই গল; বহুতো
পক্ষাঘাত ৰোগী আৰু খোৰা লোক সকলক সুস্থ কৰা হল। ৮ তাতে
সেই নগৰত মহা আনন্দ হ'ল। ৯ সেই নগৰতে আগেয়ে মায়াকৰ্ম্ম
অভ্যাস কৰা চিমোন নামেৰে এজন মানুহ আছিল। সেই মানুহ জনে
চমৰীয়া বাসীৰ আগত নিজকে বৰ এজন লোক বুলি দাবী কৰি চমক
লগাইছিল। ১০ সৰুৰ পৰা ডাঙৰলৈকে সকলো চমৰীয়া বাসীয়ে তেওঁৰ
কথাত মনোযোগ দিছিল; তেওঁলোকে কৈছিল, “এই জন ঈশ্বৰৰ মহান
শক্তিশালী ব্যক্তি”। ১১ তেওঁ ভালেমান দিন ধৰি মায়াকৰ্ম্মৰে চমক
দেখুৱাৰ কাৰণে মানুহবোৰে তেওঁক মানিছিল। ১২ কিন্তু ফিলিপে
ঈশ্বৰৰ ৰাজ্যৰ শুভবাৰ্তা ঘোষণা কৰাত তেওঁলোকে বিশ্বাস কৰিলে
আৰু বিশ্বাস কৰা সকলো পুৰুষ আৰু মহিলাক যীচু খ্ৰীষ্টৰ নামত বাপ্তিস্ম
দিয়া হ'ল। ১৩ পাছত সেই চিমোনে নিজেও বিশ্বাস কৰি বাপ্তিস্ম ল'লে;
তাৰ পাছত তেওঁ ফিলিপৰ লগত থাকি আচৰিত চিন আৰু কাৰ্যবোৰ
সিদ্ধ হোৱা দেখি বিস্ময় মানিলে। ১৪ চমৰীয়া বাসীয়ে এনেদৰে ঈশ্বৰৰ
বাক্য গ্ৰহণ কৰা শুনি যিৰূচালেমত থকা পাঁচনি সকলে পিতৰ আৰু
যোহনক তেওঁলোকৰ ওচৰলৈ পঠিয়াই দিলে। ১৫ পিতৰ আৰু যোহনে
সেই ঠাইলৈ আহি তাত থকা লোক সকলে যেন পবিত্ৰ আত্মা পায়,
তাৰ বাবে প্ৰাৰ্থনা কৰিলে। ১৬ কিয়নো তেতিয়ালৈকে তেওঁলোকৰ
ওপৰত পবিত্ৰ আত্মা অহা নাছিল; কেৱল তেওঁলোকক প্ৰভু যীচুৰ
নামত বাপ্তিস্মহে দিয়া হৈছিল৷ ১৭ পাছত পাঁচনি সকলে লোক সকলৰ
ওপৰত হাত থলে আৰু তেওঁলোকে তেতিয়া পবিত্ৰ আত্মা পালে। ১৮
চিমোনে যেতিয়া দেখিলে যে পাঁচনি সকলে হাত দিয়াত পবিত্ৰ আত্মা
দান কৰা হৈছে, তেতিয়া তেওঁ পাঁচনি সকলক ধন যাচি কলে, ১৯ “এই
শক্তি মোকো দিয়ক, ময়ো যেন যি জনৰ ওপৰতে হাত ৰাখো, তেওঁ
যেন পবিত্ৰ আত্মা পায়।” ২০ কিন্তু পিতৰে চিমোনক ক'লে, “তুমি আৰু

তোমাৰ ধন ধ্বংস হওক; কিয়নো তুমি ভাবিলা ঈশ্বৰৰ দান ধনেৰে
কিনিব পৰা যায়। ২১ আমাৰ এই কামত তোমাৰ কোনো ভাগ বা অংশ
নাই, যিহেতু ঈশ্বৰৰ আগত তোমাৰ হৃদয় সৰল নহয়। ২২ তুমি এই
দুষ্টতাৰ পৰা মন-পালটন কৰা আৰু প্ৰভুৰ ওচৰত প্ৰাৰ্থনা কৰা; হয়তো
তোমাৰ মনৰ এই মন্দ চিন্তা তেওঁ ক্ষমাও কৰিব পাৰে। ২৩ কিয়নো
মই দেখিছোঁ, তোমাৰ মন তিতা পিত্তৰ নিচিনা আৰু তুমি পাপৰ
বন্ধনত আছা।” ২৪ তেতিয়া চিমোনে উত্তৰ দিলে, “আপোনালোকে যি
কৈছে, তাৰ কোনো কথাই মোৰ জীৱনত যেন নঘটে, এই কাৰণে
আপোনালোকেই মোৰ বাবে প্ৰাৰ্থনা কৰক।” ২৫ এইদৰে পিতৰ আৰু
যোহনে প্ৰভুৰ বিষয়ে সাক্ষ্য দি বাক্য প্ৰচাৰ কৰি যিৰূচালেমলৈ উলটি
আহিল; বাটত তেওঁলোকে চমৰীয়া সকলৰ বিভিন্ন গাৱঁত শুভবাৰ্তা
প্ৰচাৰ কৰিলে। ২৬ পাছত ঈশ্বৰৰ এজন দূতে ফিলিপক কলে, “উঠা,
দক্ষিণ ফাললৈ যি পথ যিৰূচালেমৰ পৰা গাজালৈ নামি গৈছে, সেই
পথেদি নামি যোৱা” (এই পথটো মৰুভূমিৰ মাজত আছিল)। ২৭
তেতিয়া ফিলিপে প্ৰস্তুত হৈ সেই বাটেদি গ’ল। বাটত ইথিওপিয়া দেশৰ
এজন মানুহক লগ পালে; তেওঁ ইথিওপিয়াৰ ৰাণী কান্দাকীৰ সকলো
ধন-সম্পদ চোৱা-চিতা কৰিবলৈ ক্ষমতা পোৱা নপুংসক ৰাজকৰ্মচাৰী
আছিল। ঈশ্বৰৰ ভজনা কৰিবলৈ তেওঁ যিৰূচালেমলৈ আহিছিল। ২৮
তেওঁ নিজৰ ৰথত বহি উভটি গৈ থাকোতে যিচয়া ভাববাদীৰ পুস্তক
পঢ়ি গৈছিল। ২৯ এনে সময়তে আত্মাই ফিলিপক কলে, “তুমি কাষলৈ
গৈ সেই ৰথৰ লগে লগে যোৱা।” ৩০ তেতিয়া ফিলিপে ওচৰলৈ লৰি
গৈ, তেওঁ যিচয়া ভাববাদীৰ পুস্তক পঢ়া শুনি সুধিলে, “আপুনি যি
পঢ়িছে, সেই বিষয়ৰ অৰ্থ জানো বুজি পাইছে?” ৩১ তেওঁ ক’লে-
“কোনোবাই মোক বুজাই নিদিলে, মই কেনেকৈ বুজি পাম?” তাতে
তেওঁ ফিলিপক ৰথত উঠি তেওঁৰ সৈতে বহিবলৈ অনুৰোধ কৰিলে।
৩২ ধৰ্মশাস্ত্ৰৰ যি অংশটো তেওঁ পঢ়িছিল, সেয়া এই- “মাৰিবলৈ নিয়া
মেৰ-পোৱালিৰ নিচিনাকৈ তেওঁক আনিলে আৰু নোম কটীয়াৰ আগত
মেৰ-পোৱালি নিজম হৈ থকাৰ দৰে তেওঁ নিজৰ মুখ নেমেলিলে। ৩৩
তেওঁ অপমানিত হোৱা কালত, ন্যায়-বিচাৰ কৰা নহ’ল, তেওঁৰ বংশৰ

কথা কোনে কব? কিয়নো পৃথিৱীৰ পৰা তেওঁৰ জীৱন লৈ যোৱা হ'ল।"
৩৪ এই কথা পঢ়ি নপুংসকে ফিলিপক সুধিলে, "অনুৰোধ কৰিছোঁ,
ভাববাদীয়ে কাৰ বিষয়ে এই কথা কৈছে, ক'ব নে? নিজৰ বিষয়ে নে
অন্য কাৰোবাৰ বিষয়ে কৈছে?" ৩৫ তেতিয়া ফিলিপে মাত লগাই
যিচয়া পুস্তকৰ এই শাস্ত্ৰাংশৰ পৰা আৰম্ভ কৰি তেওঁৰ আগত যীচুৰ
শুভবাৰ্তা প্ৰচাৰ কৰিলে। ৩৬ এইদৰে বাটত যাওঁতে যাওঁতে এডোখৰ
জলাশয়ৰ ওচৰ পোৱাত নপুংসকে কলে, "চাওক, ইয়াতে পানী আছে;
গতিকে বাপ্তিস্ম লোৱাত এতিয়া মোৰ কি বাধা আছে?" ৩৭ ফিলিপে
কলে, "যদি সমস্ত মনেৰে বিশ্বাস কৰিছা, তেনেহলে বাধা নাই।"
তেতিয়া বিষয়াজনে কলে, "যীচু খ্ৰীষ্ট ঈশ্বৰৰ পুত্ৰ, ইয়াক মই বিশ্বাস
কৰিছোঁ।" ৩৮ তাতে বিষয়াজনে ৰথ ৰাখিবলৈ আজ্ঞা কৰিলে৷ ফিলিপ
আৰু নপুংসক বিষয়াজন পানীত নামিল; ফিলিপে তেওঁক বাপ্তিস্ম
দিলে। ৩৯ যেতিয়া তেওঁলোক পানীৰ পৰা উঠিল, প্ৰভুৰ আত্মাই
ফিলিপক কাঢ়ি লৈ গল; তাতে নপুংসকে তেওঁক পুনৰ দেখা নাপালে৷
তেওঁ আনন্দ মনেৰে নিজ বাটে গুছি গ'ল। ৪০ কিন্তু ফিলিপ পুনৰ
আচদোদ নগৰত উপস্থিত হ'ল আৰু সেই অঞ্চলৰ সকলো নগৰে
নগৰে গৈ শুভবাৰ্তা প্ৰচাৰ কৰি চীজাৰিয়া পালে।

**৯** সেই সময়ত চৌলে প্ৰভুৰ শিষ্য সকলক ভয় দেখুওৱাৰ লগতে বধ
কৰাৰ ভাবুকিও দিবলৈ ধৰিলে৷ তেওঁ যিৰূচালেমত মহা-পুৰোহিতৰ
ওচৰলৈ গ'ল, ২ আৰু দম্মেচক নগৰত থকা নাম-ঘৰৰ সমাজলৈ লিখা
অনুমতি পত্ৰ ললে যাতে তেওঁ সেই পথৰ যি কোনো পুৰুষ বা মহিলাক
পালেই তেওঁলোকক যেন ধৰি বান্ধি যিৰূচালেমলৈ আনিব পাৰে। ৩
এই উদ্দেশ্যৰে যাত্ৰা কৰি দম্মেচক নগৰৰ ওচৰ পাওঁতে অকস্মাতে
আকাশৰ পৰা পোহৰ ওলাই তেওঁৰ চাৰিওফালে প্ৰকাশিত হ'ল; ৪
তেওঁ তৎক্ষণাৎ মাটিত পৰিল আৰু এক আকাশ-বাণী শুনিবলৈ পালে,
বোলে, "হে চৌল, হে চৌল, মোক কিয় তাড়না কৰিছা?" ৫ চৌলে
উত্তৰ দি কলে- "হে প্ৰভু, আপুনি কোন?" তেতিয়া প্ৰভুৱে কলে, "যি
জনক তুমি তাড়না কৰি আছা, মই সেই যীচু; ৬ কিন্তু উঠা, নগৰত
সোমোৱা, তাতে তুমি কি কৰিব লাগিব, সেই বিষয়ে তোমাক কোৱা

হ'ব।" ৭ তেওঁৰ লগত যোৱা মানুহবোৰে তাত কোনো ব্যক্তিক দেখা
নাপালে কিন্তু সেই আকাশ-বাণী শুনি অবাক হৈ থাকিল। ৮ পাছত
চৌলে মাটিৰ পৰা উঠি চকু মেলি একো নেদেখিলে। তেতিয়া আন
লোকে তেওঁক হাতত ধৰি দম্মেচক নগৰলৈ আনিলে৷ ৯ তাতে তেওঁ
তিন দিনলৈকে দৃষ্টিহীন হৈ থাকিল আৰু ভোজন-পানো নকৰিলে। ১০
সেই সময়ত দম্মেচক নগৰত থকা অননিয় নামেৰে এজন শিষ্যক
প্ৰভুৱে দৰ্শন দি কলে, "হে অননিয়।" তেওঁ ক'লে, "হে প্ৰভু, চাওক,
মই আছোঁ।" ১১ তেতিয়া প্ৰভুৱে তেওঁক কলে, "তুমি উঠা, পোন নামৰ
আলিবাটেৰে যোৱা, আৰু যিহূদাৰ ঘৰলৈ গৈ তাৰ্চ নগৰৰ চৌল নামৰ
ব্যক্তি জনৰ খবৰ লোৱা৷ তাতে তুমি দেখিবা, তেওঁ প্ৰাৰ্থনা কৰি আছে৷"
১২ তেতিয়া চৌলে দৃষ্টি পাবৰ কাৰণে অননিয় নামেৰে এজন মানুহ
তেওঁৰ ওচৰলৈ আহি তেওঁৰ গাত হাত দিয়া, এনে দৰ্শনত দেখা পালে।
১৩ কিন্তু অননিয়ই উত্তৰ দিলে, "হে প্ৰভু, সেই মানুহে যিৰূচালেমত
আপোনাৰ নিযুক্ত পবিত্ৰ লোক সকলৰ কিমান অপকাৰ কৰিলে, সেই
বিষয়ে মই অনেকৰ পৰা শুনিলোঁ৷ ১৪ আৰু ইয়াতো আপোনাৰ নামেৰে
প্ৰাৰ্থনা কৰা লোক সকলক বান্ধিবলৈ তেওঁ প্ৰধান পুৰোহিত সকলৰ
পৰা ক্ষমতালৈ আহিছে৷" ১৫ কিন্তু প্ৰভুৱে তেওঁক কলে, "তুমি যোৱা,
কিয়নো অনা-ইহুদী আৰু ৰজা সকলৰ লগতে ইস্ৰায়েলৰ সন্তান সকলৰ
আগত মোৰ নাম প্ৰচাৰ কৰিবলৈ, সেই জন মোৰ মনোনীত পাত্ৰ। ১৬
কিয়নো তেওঁ মোৰ নামৰ কাৰণে কিমান দুখভোগ কৰিব লাগিব,
ইয়াকে মই তেওঁক দেখুৱাম।" ১৭ তেতিয়াই অননিয় গ'ল আৰু সেই
ঘৰত সোমাই চৌলক বিচাৰি উলিয়ালে৷ তাৰ পাছত তেওঁ চৌলৰ
গাত হাত দি কলে, "হে ভাই চৌল, আপুনি যেন দৃষ্টি পায় আৰু পবিত্ৰ
আত্মাৰে পৰিপূৰ্ণ হয়, এই কাৰণে আপুনি অহা বাটত যি জন প্ৰভু
যীচুৱে অাপোনাক দেখা দিলে, তেৱেঁই মোক আপোনাৰ ওচৰলৈ
পঠালে।" ১৮ তেতিয়াই তেওঁৰ চকুৰ পৰা মাছৰ বাকলিৰ নিচিনা
এচটা ওলাই আহিল আৰু পুনৰায় দৃষ্টি পালে; তাৰ পাছত তেওঁ উঠি
বাপ্তাইজিত হ'ল৷ ১৯ ইয়াৰ পাছত তেওঁ খোৱা-বোৱা কৰি বলৱান
হ'ল৷ এনেদৰে কিছুদিন তেওঁ শিষ্য সকলৰ সৈতে দম্মেচক নগৰতে

থাকিল৷ ২০ আৰু যীচু যে ঈশ্বৰৰ পুত্ৰ হয়, এই কথা নাম-ঘৰবোৰত
তেওঁ ঘোষণা কৰিবলৈ ধৰিলে। ২১ তাতে সকলোৱে শুনি বিস্ময় মানি
কলে, “বোলে, যি জনে যিৰূচালেমত এই নামেৰে প্ৰাৰ্থনা কৰা সকলক
লণ্ড-ভণ্ড কৰিছিল আৰু এতিয়াও তেনেলোকক বান্ধি প্ৰধান পুৰোহিতৰ
আগলৈ নিবৰ আশয়েৰে এই ঠাইলৈকো আহিছে, সেই জন এৱেই
নহয় নে?” ২২ কিন্তু চৌলে অধিক শক্তিমান হৈ, এই যীচুৱেই যে খ্ৰীষ্ট
হয়, ইয়াৰ প্ৰমাণ দি দম্মেচকত থকা ইহুদী সকলক নিৰুত্তৰ কৰিলে।
২৩ এনেদৰে বহু দিনৰ পাছত ইহুদী সকলে তেওঁক বধ কৰিবলৈ
চক্ৰান্ত কৰিলে৷ ২৪ আৰু তেওঁলোকে তেওঁক বধ কৰিবলৈ দিনে-
ৰাতিয়ে দুৱাৰ বোৰত খাপ দি থাকিল; কিন্তু চৌলে তেওঁলোকৰ চক্ৰান্ত
বুজি পালে৷ ২৫ তাৰ পাছত তেওঁৰ শিষ্য সকলে ৰাতিতেই তেওঁক
পাচিত ভৰাই, গড়েদি নমাই দিলে। ২৬ পাছত চৌলে যিৰূচালেমলৈ গৈ
শিষ্য সকলৰ লগ লবলৈ চেষ্টা কৰাত, সকলোৱে তেওঁলৈ ভয় কৰিলে,
আৰু তেওঁ যে শিষ্য হয়, ইয়াকো বিশ্বাস নকৰিলে। ২৭ কিন্তু বাৰ্ণব্বাই
তেওঁক পাঁচনি সকলৰ আগলৈ আনিলে৷ ইয়াৰ পাছত দম্মেচকৰ পথত
কেনেকৈ চৌলে প্ৰভুক দেখা পাইছিল, আৰু প্ৰভুৱে তেওঁৰ আগত কি
কথা কৈছিল, আৰু তেওঁ কেনেকৈ দম্মেচকত যীচুৰ নামত সাহসেৰে
প্ৰচাৰ কৰিছিল, সেই সকলো কথা তেওঁলোকৰ আগত বৰ্ণনা কৰিলে।
২৮ চৌলে তেওঁলোকৰ লগত যিৰূচালেমত অহা-যোৱা কৰি প্ৰভু যীচুৰ
নামেৰে সাহসেৰে প্ৰচাৰ কৰিলে। ২৯ তাতে তেওঁ গ্ৰীকভাষী ইহুদী
সকলৰ সৈতে কথোপকথন আৰু বাদ-বিবাদ কৰিলে, কিন্তু তেওঁলোকে
তেওঁক বধ কৰিবলৈ চেষ্টা কৰি আছিল। ৩০ ভাই সকলে এই বিষয়ে
জানিবলৈ পোৱাত তেওঁক চীজাৰিয়ালৈ নি তাৰ্চ নগৰলৈ পঠাই দিলে।
৩১ সেই সময়ত গোটেই যিহুদীয়া, গালীল, আৰু চমৰীয়া দেশৰ মণ্ডলী
সমূহ শান্তিত আছিল; বিশ্বাসী সকল সংখ্যাত বৃদ্ধি হৈ প্ৰভুৰ ভক্তিত
আৰু পবিত্ৰ আত্মাই দিয়া উদগণিত জীৱন-যাপন কৰিছিল। ৩২ তাৰ
পাছত পিতৰে ঠায়ে ঠায়ে ফুৰি লুদ্দা নগৰৰ নিবাসী পবিত্ৰ লোক সকলৰ
ওচৰ পালেগৈ৷ ৩৩ সেই ঠাইতে পক্ষাঘাত ৰোগত আক্ৰান্ত হৈ আঠ
বছৰ শয্যাত পৰি থকা ঐনিয়া নামেৰে এজন মানুহক দেখিলে। ৩৪

পিতৰে তেওঁক কলে, “হে ঐনিয়া, যীচু খ্রীষ্টই আপোনাক সুস্থ কৰিছে;
আপুনি উঠি আপোনাৰ শয্যা চপাই লওঁক;” তাতে তেওঁ তেতিয়াই উঠি
থিয় হ'ল। ৩৫ পাছত লুদ্দা আৰু চাৰোণ-নিবাসী সকলেও প্ৰভুলৈ মন-
পালটালে। ৩৬ আৰু যাক ভাষাত দৰ্কা অৰ্থাৎ হৰিণী বুলি মাতে, দান
দিয়া আৰু সৎকৰ্মেৰে পূৰ্ণ হৈ থকা টাবিথা নামৰ শিষ্যা এজনী যাফোত
আছিল৷ ৩৭ সেই সময়ত তেওঁ নৰিয়াত পৰি মৃত্যু হোৱাত, লোক
সকলে তেওঁক ধুৱাই ওপৰৰ কোঠালিত শুৱাই থলে। ৩৮ তাতে লুদ্দা
নগৰ যাফোৰ ওচৰ হোৱাত, আৰু পিতৰো তাতে আছে বুলি শুনি,
শিষ্য সকলে তেওঁৰ ওচৰলৈ দুজন মানুহ পঠিয়াই মিনতি কৰালে,
বোলে, “পলম নকৰি আমাৰ ইয়ালৈ আহক।” ৩৯ তেতিয়া পিতৰ উঠি
তেওঁলোকৰ লগত গৈ তাত উপস্থিত হোৱাত, লোক সকলে তেওঁক
ওপৰৰ কোঠালিলৈ নিলে আৰু বিধৱা সকলে তেওঁৰ ওচৰত থিয়
হৈ কান্দি কান্দি, দৰ্কাই তেওঁলোকৰ লগত থাকোতে প্ৰস্তুত কৰা
চোলা আদি কাপোৰ দেখুৱাবলৈ ধৰিলে। ৪০ কিন্তু পিতৰে তেওঁলোক
আটাইকে বাহিৰলৈ যাব দি আঁঠুকাঢ়ি প্ৰাৰ্থনা কৰিলে; পাছত মৃতদেহৰ
ফাললৈ ঘূৰি চাই কলে, “হে টাবিথা উঠা।” তেতিয়া তেওঁ চকু মেলি
পিতৰক দেখি বহিল৷ ৪১ তাতে তেওঁ টাবিথাক হাতত ধৰি তুলিলে;
আৰু পবিত্ৰ লোক আৰু বিধৱা সকলক মাতি, তেওঁলোকৰ আগত
জীয়াই উঠা দেখুৱালে। ৪২ এই কথা যাফোৰ সকলো ঠাইতে জনাজাত
হৈ যোৱাত, অনেক মানুহে প্ৰভুত বিশ্বাস কৰিলে। ৪৩ তাৰ পাছত
পিতৰে যাফোত, চিমোন নামেৰে এজন মুচিয়াৰৰ ঘৰত বহু দিন
থাকিল।

**১০** চীজাৰিয়া নগৰত ইটালীয়া নামৰ সৈন্য দলৰ কৰ্ণীলিয় নামেৰে
এজন এশৰ সেনাপতি আছিল৷ ২ তেওঁ এজন ভক্ত লোক আছিল,
তেওঁৰ ঘৰৰ সকলোৱে ঈশ্বৰলৈ ভয় ৰাখিছিল৷ তেওঁ আন লোক লোকক
দান কৰিছিল আৰু সদায় ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাইছিল৷ ৩ এদিন
আবেলি প্ৰায় তিনি মান বজাত, দৰ্শনত “হে কৰ্ণীলিয়!” বুলি তেওঁক
মাতা ঈশ্বৰৰ এজন দূতক স্পষ্টকৈ দেখিলে৷ ৪ তেতিয়া কৰ্ণীলিয়ই
দূতলৈ তধা লাগি চাই ভয় খাই কলে, “কি কয় প্ৰভু?” দূতে তেওঁক

কলে, “তোমাৰ প্ৰাৰ্থনা আৰু দান সোঁৱৰণীয় ৰূপে ঈশ্বৰৰ আগত
গ্ৰহণীয় হ’ল৷ ৫ এতিয়া যাফোলৈ মানুহ পঠিয়াই চিমোন, যাৰ প্ৰখ্যাত
নাম পিতৰ, তেওঁক মাতি পঠোৱা, ৬ তেওঁ সাগৰৰ তীৰত নিবাস
কৰা চিমোন নামৰ মুচিয়াৰৰ ঘৰত আলহী হৈ আছে৷” ৭ এনেদৰে
কৰ্ণীলিয়ক কৈ স্বৰ্গৰ দূত গুচি গ’ল, তাৰ পাছত তেওঁ নিজৰ ঘৰৰ
দুজন লগুৱা আৰু আলপৈচান ধৰা সকলৰ মাজৰ ভক্ত সৈন্য এজনক
মাতি আনি, ৮ তেওঁলোকক সকলো কথা তেওঁ বুজাই কলে, আৰু
যাফোলৈ পঠাই দিলে৷ ৯ পাছদিনা বাৰ মান বজাত তেওঁলোকে নগৰৰ
ওচৰ পালে, সেই সময়ত পিতৰে প্ৰাৰ্থনা কৰিবৰ বাবে ঘৰৰ ওপৰলৈ
উঠিছিল৷ ১০ তেতিয়া তেওঁৰ ভোক লগাত খাবলৈ ইচ্ছা কৰিলে, কিন্তু
লোক সকলে আহাৰ যুগুত কৰি থাকোতে তেওঁ মূৰ্ছিত হৈ পৰিল;
১১ আৰু আকাশ খন মুকলি হৈ, চাৰি চুকত ধৰি পৃথিৱীলৈ নমাই
দিয়া ডাঙৰ কাপোৰৰ নিচিনা কোনো এটা পাত্ৰ নমা দেখিলে৷ ১২
তাত সকলো বিধৰ চাৰিঠেঙীয়া জন্তু, উৰগ আৰু আকাশৰ চৰাইবোৰ
আছিল৷ ১৩ তেতিয়া তেওঁলৈ এনে বাণী হ’ল বোলে: “উঠা, মাৰি
খোৱা৷” ১৪ কিন্তু পিতৰে কলে, “হে প্ৰভু, এনে নহওক; কিয়নো মই
কোনো ধৰণৰ বৰ্জিত আৰু অশুচি বস্তু কেতিয়াও খোৱা নাই৷” ১৫
দ্বিতীয় বাৰ তেওঁলৈ এই বাণী হ’ল: “ঈশ্বৰে যিহকে শুচি কৰিলে, তাক
তুমি বৰ্জিত নুবুলিবা৷” ১৬ এইদৰে তিনি বাৰ ঘটিল আৰু সেই পাত্ৰ
তেতিয়াই আকাশৰ ওপৰলৈ তুলি নিয়া হ’ল৷ ১৭ তেতিয়া পিতৰে যি
দৰ্শন দেখিলে; সেই দৰ্শনৰ অৰ্থ কি হ’ব পাৰে ইয়াকে চিন্তা কৰি
থাকোতেই, কৰ্ণীলিয়ই পঠোৱা মানুহ কেইজনে সুধি সুধি চিমোনৰ
ঘৰলৈ আহি দুৱাৰমুখত থিয় হ’ল, ১৮ আৰু মাত লগাই সুধিলে, “বোলে
সেই চিমোন ইয়াত থাকে নে যি জনৰ প্ৰখ্যাত নাম পিতৰ?” ১৯
তেতিয়া পিতৰে সেই দৰ্শনৰ কথা ভাবি থাকোতেই, আত্মাই তেওঁক
কলে, “চোৱা, তিনি জন মানুহে তোমাক বিচাৰিছে৷ ২০ তুমি উঠা
আৰু নামি যোৱা৷ তেওঁলোকে সৈতে সংশয় নকৰি যোৱা; কিয়নো
মইহে তেওঁলোকক পঠালোঁ৷” ২১ তেতিয়া পিতৰে নামি গৈ সেই
মানুহকেইজনক কলে, “তোমালোকে যি জনক বিচাৰিছা, সেই জন

ময়েই৷ তোমালোকে কি কাৰণত আহিলা?" ২২ তেওঁলোকে কলে,
"কর্ণীলিয় নামেৰে ধার্মিক আৰু ঈশ্বৰক উপাসনা কৰা আৰু গোটেই
ইহুদী জাতিৰ আগত সুখ্যাতি পোৱা এনে এজন এশৰ সেনাপতিয়ে
আপোনাক তেওঁৰ ঘৰলৈ মতাই নি, আপোনাৰ পৰা কথা শুনিবলৈ
স্বর্গৰ পবিত্র দূতৰ দ্বাৰাই ঈশ্বৰৰ আদেশ পাইছে৷" ২৩ তেতিয়া
পিতৰে তেওঁলোকক ৰাতিটো তেওঁৰ তাতে থকাৰ ব্যৱস্থা কৰি দিলে৷
পাছদিনা তেওঁ যাফোত থকা ভাই সকলৰ মাজৰ কেইজনমানক লগত
লৈ তেওঁলোকৰ সৈতে যাত্রা কৰিলে৷ ২৪ তাৰ পাছদিনা তেওঁলোকে
চীজাৰিয়ালৈ আহিল৷ কর্ণীলিয়ই নিজৰ জ্ঞাতি আৰু আত্মীয় বন্ধু সকলক
গোট খুৱাই তেওঁলোকলৈ অপেক্ষা কৰি আছিল৷ ২৫ পিতৰ ঘৰত
সোমাওঁতে কর্ণীলিয়ই দেখা কৰি তেওঁক সন্মান জনাবলৈ চৰণত পৰি
প্রণাম কৰিলে৷ ২৬ কিন্তু পিতৰে তেওঁক তুলি ধৰি কলে, "উঠা; মেয়ো
মানুহহে৷" ২৭ তাৰ পাছত যেতিয়া পিতৰে তেৰেঁ সৈতে কথা কৈ কৈ
ঘৰত সোমাল, বহু মানুহ গোট খাই থকা দেখি, ২৮ তেওঁলোকক
কলে, "বিধান বিহীন জাতিৰ কোনো মানুহৰ লগ লোৱা নাইবা তেওঁৰ
তালৈ যোৱা যে যিহুদী মানুহৰ বাবে নিষেধ, ইয়াক আপোনালোকে
জানে৷ কিন্তু কোনো মানুহক বর্জিত বা অশুচি নুবুলিবলৈ ঈশ্বৰে মোক
দেখুৱালে৷ ২৯ এই হেতুকে মোক মাতোতে কোনো আপত্তি নকৰাকৈ
মই আহিলোঁ৷ গতিকে এতিয়া সুধিছোঁ, কিয়নো আপোনালোকে মোক
মাতিলে৷" ৩০ তেতিয়া কর্ণীলিয়ই কলে, "আজি চাৰি দিন হ'ল ঠিক
এই সময়ত অর্থাৎ আবেলি তিনি মান বজাত প্রার্থনা কৰি আছিলোঁ;
তেতিয়া চাওক, উজ্জ্বল বস্ত্র পিন্ধা এজন মানুহ মোৰ আগত থিয় হ'ল৷
৩১ তেওঁ কলে, 'হে কর্ণীলিয়, তোমাৰ প্রার্থনা শুনা গ'ল আৰু তুমি
দুখীয়াক দিয়া দান ঈশ্বৰৰ আগত সোঁৱৰণ কৰা হ'ল৷ ৩২ এতেকে
যাফোলৈ মানুহ পঠিয়াই, সাগৰৰ দাঁতিত চিমোন নামেৰে এজন
মুচিয়াৰৰ ঘৰত আলহী হৈ থকা চিমোন, যাৰ প্রখ্যাত নাম পিতৰ,
তেওঁক মাতি অানা গৈ'৷ ৩৩ এই হেতুকে মই তেতিয়াই আপোনাৰ
তালৈ মানুহ পঠালোঁ৷ আপুনি যে এতিয়া আহি পালে, ভাল কৰিলে৷
এতেকে প্রভুৱে যি আজ্ঞা আপোনাক দিলে, সেই সকলো বিষয়

শুনিবলৈ আমি সকলোৱে এতিয়া ঈশ্বৰৰ সাক্ষাতে উপস্থিত আছোঁ।”
৩৪ তেতিয়া পিতৰে মাত দিলে আৰু কলে, “ইয়াকে মই নিশ্চয়কৈ
উপলব্ধি কৰিছোঁ যে, ঈশ্বৰে কাৰো পক্ষপাতীত্ব নকৰে। ৩৫ বৰং
সকলো জাতিৰ মাজত যি জনে তেওঁলৈ ভয় ৰাখি ধাৰ্মিক আচৰণ
কৰে, সেই জন তেওঁৰ গ্ৰহণযোগ্য হয়। ৩৬ যি জন সকলোৰে প্ৰভু,
সেই যীচু খ্ৰীষ্টৰ দ্বাৰাই মিলনৰ শুভবাৰ্তা প্ৰচাৰ কৰোঁতে, ঈশ্বৰে যি
বাক্য ইস্ৰায়েলৰ লোক সকললৈ পঠালে, ৩৭ আৰু যোহনে বাপ্তিস্মৰ
কথা ঘোষণা কৰাৰ পাছত, গালীল প্ৰদেশৰ পৰা আৰম্ভ হৈ গোটেই
যিহুদীয়ালৈকে বিয়পি গ'ল, সেই বাক্য আপোনালোকে নিজেও বুজি
আছে। ৩৮ সেয়ে এই যে, যেনেকৈ ঈশ্বৰে নাচৰতীয়া যীচুক পবিত্ৰ
আত্মা শক্তি আৰু মহিমাৰে অভিষিক্ত কৰিলে; তেনেকৈ তেওঁ বিভিন্ন
ঠাইত সৎ কৰ্ম কৰি, চয়তানৰ পৰা দুখ পোৱা সকলক সুস্হ কৰিছিল;
কাৰণ ঈশ্বৰ তেওঁৰ সহায় আছিল। ৩৯ আৰু ইহুদী সকলৰ গাৱেঁ-
ভুয়ে গৈ আৰু যিৰূচালেমতো তেওঁ যি যি কৰ্ম কৰিছিল, সেই সকলো
কৰ্মৰ সাক্ষী আমি আছোঁ। এই যীচুকেই তেওঁলোকে কাঠত ওলোমাই
বধ কৰিলে। ৪০ কিন্তু এইজনকে প্ৰকাশিত কৰিবলৈ ঈশ্বৰে তেওঁক
তৃতীয় দিনা তুলিলে, ৪১ আটাই মানুহৰ আগত নহয়, কিন্তু তেওঁ মৃত
বিলাকৰ মাজৰ পৰা উঠাৰ পাছত তেৱেঁ সৈতে ভোজন-পান কৰা
ঈশ্বৰৰ মনোনীত সাক্ষী যি আমি, আমাৰ আগতহে প্ৰকাশিত হবলৈ
দিলে। ৪২ জীৱিত আৰু মৰা দুয়োৰো বিচাৰকৰ্তা হবলৈ ঈশ্বৰে যি
জনক নিযুক্ত কৰিলে, তেৱেঁই সেই জনা, এই কথা সকলো লোকৰ
আগত ঘোষণা কৰিবলৈ আৰু সাক্ষ্য দিবলৈ তেওঁ আমাক আজ্ঞা দিলে।
৪৩ তেওঁৰ পক্ষে সকলো ভাববাদীয়েও সাক্ষ্য দিয়ে যাতে তেওঁত
বিশ্বাস কৰা সকলোৱে তেওঁৰ নামেৰে পাপ-মোচন পায়। ৪৪ পিতৰে
এই কথা কৈ থাকোতেই, শুনি থকা সকলোৰে ওপৰত পবিত্ৰ আত্মা
আহিল। ৪৫ তাতে পিতৰৰ লগত অহা চুন্নৎ হোৱা বিশ্বাসী সকলে অনা-
ইহুদী সকলৰ ওপৰতো পবিত্ৰ আত্মা বাকি দিয়া দেখি বিস্ময় মানিলে।
৪৬ কাৰণ সেই অনা-ইহুদী সকলে নানা ভাষাৰে কথা কৈ ঈশ্বৰৰ স্তুতি
কৰা তেওঁলোকে শুনিবলৈ পালে। তেতিয়া পিতৰে উত্তৰ দি কলে, ৪৭

“আমাৰ নিচিনাকৈ পবিত্ৰ আত্মা পোৱা এওঁলোক বাপ্তাইজিত নহবলৈ
কোনোবাই জলক বাধা দিব পাৰে নে?” ৪৮ তেতিয়া তেওঁ যীচু খ্ৰীষ্টৰ
নামেৰে তেওঁলোকক বাপ্তাইজিত হবলৈ আজ্ঞা দিলে৷ পাছত সেই
ঠাইতে তেওঁলোকক কিছুদিন থাকিবলৈ তেওঁ মিনতি কৰিলে৷

**১১** পাছত পাঁচনি সকল আৰু যিহুদীয়াত থকা ভাই সকলে শুনিবলৈ
পালে যে, অনা-ইহুদী লোকেও ঈশ্বৰৰ বাক্য গ্ৰহণ কৰিলে৷ ২ পাছত
যেতিয়া পিতৰ যিৰূচালেমলৈ আহিল, তেতিয়া তেওঁক লৈ চুন্নৎ হোৱা
মানুহবোৰে দ্বিধাবোধ হোৱাত নিন্দা কৰিলে; ৩ তেওঁলোকে কলে,
“তুমি চুন্নৎ নোহোৱা মানুহবোৰৰ লগত সহযোগ কৰি, সিহঁতৰ সৈতে
খোৱা-বোৱা কৰিলা!” ৪ কিন্তু পিতৰে এই কথা বিতং ভাৱে বৰ্ণনা কৰি
তেওঁলোকক কলে, ৫ “মই যাফো নগৰত প্ৰাৰ্থনা কৰি থাকোতেই মুৰ্চ্ছা
গ’লো আৰু দৰ্শনত চাৰি চুকত ধৰি স্বৰ্গৰ পৰা নমোৱা ডাঙৰ কাপোৰৰ
নিচিনা কোনো এটা পাত্ৰ মোৰ ওচৰলৈ নামি অহা দেখিলোঁ; ৬ তেতিয়া
তালৈ মন কৰি একেথৰে চাই থাকোতে তাত পৃথিৱীৰ চাৰিঠেঙীয়া
জন্তু আৰু বনৰীয়া জন্তু, উৰগ আৰু আকাশৰ চৰাই এই সকলোকে
দেখিলোঁ৷” ৭ আৰু তেতিয়া “হে পিতৰ, উঠি মাৰি খোৱা!” এই বুলি
মোলৈ কোৱা এটা বাণীও শুনিলোঁ৷ ৮ মই কলোঁ, “হে প্ৰভু, এনে
নহওক: কিয়নো কোনো বৰ্জিত বা অশুচি বস্তু মোৰ মুখত কেতিয়াও
দিয়া নাই৷” ৯ কিন্তু পুনৰ আকাশৰ পৰা নে স্বৰ্গৰ পৰা উত্তৰ আহিল,
“ঈশ্বৰে যিহকে শুচি কৰিলে, সেইবোৰ তুমি বৰ্জিত নুবুলিবা৷” ১০
এইদৰে তিনি বাৰ ঘটাৰ পাছত সেই সকলোবোৰ আকৌ স্বৰ্গলৈ তুলি
নিয়া হ’ল৷ ১১ আৰু চোৱা, তেতিয়াই চীজাৰিয়াৰ পৰা মোৰ ওচৰলৈ
পঠোৱা তিনি জন মানুহ, মই যি ঘৰত আছিলোঁ, তাত উপস্থিত হ’ল৷
১২ তাতে একো সংশয় নকৰাকৈ তেওঁলোকৰ লগত যাবলৈ আত্মাই
মোক আজ্ঞা দিলে৷ পাছত এই ভাই ছয় জন মোৰ লগত গ’ল আৰু
আমি সেই মানুহৰ ঘৰত গৈ সোমালো৷ ১৩ তাতে তেওঁ আমাক কলে,
কেনেকৈ এজন দূতে তেওঁৰ ঘৰত থিয় হৈ কৈছিল যে, “যাফোলৈ মানুহ
পঠাই, যাৰ প্ৰখ্যাত নাম পিতৰ, সেই চিমোনক মাতি পঠোৱা৷ ১৪
তাতে তুমি আৰু তোমাৰ ঘৰৰ সকলোৱে যাৰ দ্বাৰাই পৰিত্ৰাণ পাবা,

সেই কথা তেওঁ তোমাক কব৷” ১৫ পাছে মই কথা কবলৈ ধৰোতেই,
পূৰ্বতে আমাৰ ওপৰত যেনেকৈ পবিত্ৰ আত্মা নামিছিল, তেনেকৈ
তেওঁলোকৰ ওপৰতো নামিল৷ ১৬ “যোহনে হলে পানীতহে বাপ্তিস্ম
দিলে কিন্তু তোমালোকক হ’লে পবিত্ৰ আত্মাত বাপ্তিস্ম দিয়া হ’ব,”
প্ৰভুৱে কোৱা এই কথা মোৰ মনত পৰিল৷ ১৭ এতেকে আমি প্ৰভু যীচু
খ্ৰীষ্টত বিশ্বাস কৰাৰ বাবে ঈশ্বৰে যি দান আমাক দিলে সেই একে
দান তেওঁলোককো দিলে, গতিকে ঈশ্বৰক প্ৰতিৰোধ কৰিবলৈ মই
নো কোন?” ১৮ এই কথা শুনি তেওঁলোকে কোনো সহাঁৰি নিদি বৰং
ঈশ্বৰৰ স্তুতি কৰি কলে, “তেনেহলে, ঈশ্বৰে অনা-ইহুদী লোককো
জীৱনৰ অৰ্থে মন-পালটন দান কৰিলে৷” ১৯ ইতিপূৰ্বে যিবোৰ মানুহে
স্তিফানৰ মৃত্যুৰ ক্ষেত্ৰত হোৱা বেজাৰৰ কাৰণে গোট গোট হৈ আছিল,
তেওঁলোকে ফৈনীকিয়া, কুপ্ৰ, আৰু আন্তিয়খিয়ালৈকে ফুৰি, ইহুদী
লোকৰ বাহিৰে আন কাৰো আগত ঈশ্বৰৰ বাক্য প্ৰচাৰ নকৰিলে৷ ২০
কিন্তু তেওঁলোকৰ মাজৰ কুপ্ৰ আৰু কুৰীণীৰ কিছুমান আন্তিয়খিয়ালৈ
আহি গ্ৰীকভাষী সকলৰ আগত প্ৰভু যীচুৰ শুভবাৰ্তা প্ৰচাৰ কৰিলে৷ ২১
আৰু প্ৰভুৰ হাত তেওঁলোকৰ সহকাৰী হ’ল, তাতে বহুসংখ্যক লোকে
বিশ্বাস কৰি প্ৰভুলৈ আহিল৷ ২২ পাছত তেওঁলোকৰ সবিশেষ বাৰ্তা
যিৰূচালেমত থকা মণ্ডলীৰ কাণত যেতিয়া পৰিল, তেতিয়া মণ্ডলীয়ে
বাৰ্ণব্বাক আন্তিয়খিয়ালৈ পঠিয়াই দিলে৷ ২৩ তেওঁ তাত উপস্থিত হৈ,
ঈশ্বৰৰ অনুগ্ৰহ দেখি আনন্দিত হ’ল; আৰু হৃদয়ৰ আগ্ৰহেৰে প্ৰভুত
আসক্ত হৈ থাকিবলৈ সকলোকে উদগালে৷ ২৪ কিয়নো তেওঁ উত্তম
লোক হোৱাৰ উপৰি, পবিত্ৰ আত্মাৰে বিশ্বাসত পৰিপূৰ্ণ আছিল, তাতে
মানুহৰ এটা ডাঙৰ দলে প্ৰভুত যোগ দিলে৷ ২৫ পাছত বাৰ্ণব্বাই চৌলক
বিচাৰিবলৈ তাৰ্চ নগৰলৈ গ’ল৷ ২৬ আৰু তেওঁক পাই আন্তিয়খিয়ালৈ
লৈ আহিল৷ তাতে তেওঁলোকে গোটেই বছৰ মণ্ডলীত গোট খোৱা বহু
লোকক উপদেশ দিলে৷ এই আন্তিয়খিয়া নগৰতেই শিষ্য সকলক
প্ৰথমে খ্ৰীষ্টিয়ান বুলি মতা হ’ল৷ ২৭ সেই সময়ত কিছুমান ভাববাদী
যিৰূচালেমৰ পৰা আন্তিয়খিয়ালৈ আহিল৷ ২৮ আৰু তেওঁলোকৰ মাজৰ
আগাব নামেৰে এজনে উঠি, আত্মাৰ দ্বাৰাই চালিত হৈ জনালে যে,

গোটেই পৃথিৱীত বৰ আকাল হ'ব আৰু ক্লৌদিয়ৰ দিনত সেয়ে ঘটিব৷
২৯ তাতে শিষ্য সকলৰ প্ৰতিজনে শক্তি অনুসাৰে, যিহুদীয়াত নিবাস
কৰা ভাই সকলৰ পৰিচৰ্যাৰ কাৰণে সহায় পঠিয়াবলৈ সিদ্ধান্ত ললে৷
৩০ পাছত সেইদৰে কাৰ্য কৰি, বাৰ্ণব্বা আৰু চৌলৰ হাতত পৰিচাৰক
সকললৈ ধন পঠিয়াই দিলে৷

**১২** সেই সময়ত হেৰোদ ৰজাই মণ্ডলীৰ কোনো কোনো লোকক
অত্যাচাৰ কৰিব ধৰিলে ২ আৰু তেওঁ যোহনৰ ককায়েক যাকোবক
তৰোৱালেৰে বধ কৰিবলৈ হুকুম দিলে৷ ৩ এই কাৰ্যত ইহুদী সকল
সন্তুষ্ট হোৱা দেখি, তেওঁ পিতৰকো বন্দী কৰিলে৷ তেতিয়া খমিৰ
নোহোৱা পিঠাৰ দিন আছিল৷ ৪ পিতৰক বন্দী কৰি হেৰোদে বন্দীশালত
ৰাখিলে৷ তেওঁক পহৰা দিবৰ কাৰণে চাৰি জনকৈ চাৰিটা সৈন্য দলক
নিযুক্ত কৰিলে আৰু তেওঁ মনতে ভাবিলে যে, নিস্তাৰ-পৰ্বৰ পাছত
পিতৰক জনসাধাৰণৰ ওচৰত বিচাৰৰ বাবে হাজিৰ কৰাব৷ ৫ এইদৰে
পিতৰক বন্দীশালত ৰাখিলে, কিন্তু তেওঁৰ বাবে মণ্ডলীৰ লোক সকলে
নিৰন্তৰে ঈশ্বৰৰ আগত প্ৰাৰ্থনা কৰি আছিল৷ ৬ পাছত হেৰোদে তেওঁক
বাহিৰলৈ আনিবৰ বাবে সিদ্ধান্ত লোৱা দিনা খনৰ আগ-ৰাতি, পিতৰ
দুজন সৈন্যৰ মাজত দুডাল শিকলিৰে বন্ধা হৈ টোপনিত আছিল আৰু
প্ৰহৰীবোৰে দুৱাৰমুখত বন্দীশাল পহৰা দি আছিল৷ ৭ সেই সময়ত
প্ৰভুৰ এজন দূত আহি উপস্থিত হ'ল আৰু সেই কোঠালিটো পোহৰেৰে
উজ্বল হৈ উঠিল৷ তাতে চাপৰ মাৰি পিতৰক জগাই দূতে কলে, “বেগাই
উঠা৷” তেতিয়া তেওঁৰ হাতৰ পৰা শিকলিৰ বান্ধ সুলকি পৰিল৷ ৮ দূতে
তেওঁক কলে, “কঁকাল বান্ধি পাদুকা পিন্ধা৷” পিতৰে সেইদৰে কৰিলে৷
দূতে তেওঁক কলে, “তোমাৰ কাপোৰ গাত লৈ মোৰ পাছে পাছে আহা৷”
৯ পাছে পিতৰে দূতক অনুসৰণ কৰি বাহিৰলৈ ওলাই গ'ল৷ কিন্তু দূতে
কৰা কৰ্ম যে সঁচা, ইয়াকে নাভাবি দৰ্শন পোৱা বুলি ভাবিলে৷ ১০
এইদৰে প্ৰথম আৰু দ্বিতীয় প্ৰহৰীবোৰক পাৰ কৰি নগৰলৈ অহা-যোৱা
কৰা যিখন লোহাৰ দুৱাৰ আছিল, সেয়া নিজে নিজে তেওঁলোকলৈ
মুকলি হৈ গ'ল৷ তাতে তেওঁলোক বাহিৰলৈ আহি বাটৰ এমুৰ পাওঁতে
তৎক্ষণাৎ দূতে তেওঁৰ লগ এৰিলে৷ ১১ তেতিয়া পিতৰে চেতনা পাই

কলে, “প্ৰভুৱে তেওঁৰ দূত পঠিয়াই হেৰোদৰ হাতৰ পৰা আৰু ইহুদী
লোকৰ সকলো আকাংক্ষাৰ পৰা মোক যে উদ্ধাৰ কৰিলে, এতিয়াহে
মই নিশ্চয়কৈ জানিছোঁ।” ১২ ইয়াকে তেওঁ জনাৰ পাছত, মাৰ্ক নামেৰে
প্ৰখ্যাত হোৱা যি যোহন, তেওঁৰ মাক মৰিয়মৰ ঘৰলৈ গ’ল; তাতে
অনেক লোক গোট খাই প্ৰাৰ্থনা কৰি আছিল। ১৩ তেতিয়া তেওঁ বাহিৰৰ
দুৱাৰত টুকুৰিওৱাত, ৰোদা নামেৰে এজনী চাকৰণীয়ে মাত দিবলৈ
আহিল। ১৪ তাতে তাই পিতৰৰ মাত শুনি বুজি পাই, আনন্দত দুৱাৰ
মেলিবলৈ পাহৰি ভিতৰলৈ লৰি গৈ, পিতৰ দুৱাৰমুখত থিয় হৈ আছে
বুলি কলেগৈ। ১৫ তেতিয়া তেওঁলোকে তাইক কলে, “তই পাগলি হৈছা”
কিন্তু তাই সঁচা বুলি দৃঢ়তাৰে নিশ্চিত ভাবে কলো তেওঁলোকে কলে,
“তেনেহলে সেই জন তেওঁৰ দূতহে হবা।” ১৬ কিন্তু পিতৰে দুৱাৰত
বাৰে বাৰে টুকুৰিয়াই আছিল, তেতিয়া তেওঁলোকে দুৱাৰ মেলি দিয়াত,
তেওঁক দেখি বিস্ময় মানিলো। ১৭ পিতৰে নিজম দি থাকিবলৈ হাতেৰে
ইংগিত দি, প্ৰভুৱে কেনেকৈ তেওঁক বন্দীশালৰ পৰা মুকলি কৰি
আনিলে, তাৰ বৃত্তান্ত তেওঁলোকৰ আগত বৰ্ণনা কৰিলো। আৰু কলে,
“তোমালোকে যাকোব আৰু ভাই সকলক এই সংবাদ দিবা।” ইয়াকে
কৈ তেতিয়াই তেওঁ ওলাই আন ঠাইলৈ গুচি গ’ল। ১৮ পাছে ৰাতিপুৱা
হ’ল, পিতৰৰ নো কি হ’ল, এই বুলি সৈন্য সকলৰ মাজত বৰ হুলস্থুল
লাগিল। ১৯ তেতিয়া হেৰোদে তেওঁক বিচাৰি নাপাই, প্ৰহৰী সকলৰ
সোধ-বিচাৰ কৰি প্ৰাণদণ্ডৰ আজ্ঞা দিলো। তেতিয়া তেওঁ যিহুদীয়াৰ
পৰা চীজাৰিয়ালৈ গ’ল আৰু তাতে থাকিল। ২০ তুৰীয়া আৰু চীদোনীয়া
সকলৰ প্ৰতি হেৰোদৰ অতিশয় ক্ৰোধ আছিল। কিন্তু তেওঁলোকে
একে আলোচনাৰে তেওঁৰ আগলৈ গৈ, ব্লাস্ত নামেৰে ৰজাৰ ভিতৰুৱাল
ফুকনক তেওঁলোকৰ ফলীয়া কৰি, শান্তি স্হাপন কৰিবলৈ নিবেদন
কৰিলে, কাৰণ এই ৰজাৰ দেশৰ পৰাই তেওঁলোকৰ দেশলৈ খোৱা
বস্তুবোৰ আহিছিল। ২১ এটা নিৰূপিত দিনত হেৰোদে ৰাজকীয় বস্ত্ৰ
পিন্ধি বিচাৰৰ আসনত বহিছিল আৰু সেইদিনা তাৰ পৰা তেওঁলোকলৈ
ভাষণ দিছিল। ২২ তেতিয়া লোক সকলে ৰিঙিয়াই কলে, “এয়া এজন
ঈশ্বৰৰ মাত, মানুহৰ মাত নহয়!” ২৩ কিন্তু সেই প্ৰশংসা ঈশ্বৰক

নিদিয়াত, প্ৰভুৰ দূতে তেতিয়াই তেওঁক আঘাত কৰিলে আৰু পোকে
খোৱাত, তেওঁ প্ৰাণ ত্যাগ কৰিলে৷ ২৪ কিন্তু ঈশ্বৰৰ বাক্য ব্যাপক
হাৰত বিয়পি গ'ল৷ ২৫ এইদৰে বাৰ্ণব্বা আৰু চৌলে যি পৰিচৰ্যা কৰ্মৰ
দায়িত্ব পাইছিল, সেয়া তেওঁলোকে সিদ্ধ কৰিলে, আৰু মাৰ্ক নামেৰে
প্ৰখ্যাত হোৱা যোহনক লগত লৈ যিৰূচালেমৰ পৰা উভতি আহিল৷

**১৩** আন্তিয়খিয়াত থকা মণ্ডলীত কেইজনমান ভাৰবাদী আৰু
উপদেশক আছিল৷ তেওঁলোক বাৰ্ণব্বা, চিমোন, যি জনক নিগ্ৰ বোলে,
কুৰীণীৰ লুকীয়, হেৰোদ ৰজাৰ লগত প্ৰতিপালিত হোৱা মনহেম
আৰু চৌল৷ ২ যি সময়ত তেওঁলোকে প্ৰভুৰ উপাসনা কৰি লঘোন
দি আছিল, সেই সময়তে পবিত্ৰ আত্মাই কলে, "যি কৰ্ম কৰিবলৈ
মই বাৰ্ণব্বা আৰু চৌলক মাতিলোঁ, সেই কৰ্মৰ কাৰণে তেওঁলোকক
মোলৈ পৃথক কৰি দিয়া৷" ৩ তাতে তেওঁলোকে লঘোন দি প্ৰাৰ্থনা
কৰি, সেই দুজনৰ ওপৰত হাত দি পঠিয়াই দিলে৷ ৪ এইদৰে পবিত্ৰ
আত্মাৰ বাধ্য হৈ বাৰ্ণব্বা আৰু চৌল চিলুকিয়ালৈ গ'ল; তাৰ পৰা
জাহাজেৰে কুপ্ৰ দ্বীপলৈ গ'ল৷ ৫ তাতে চালামী নগৰ পাই, ইহুদী
সকলৰ নাম-ঘৰবোৰত ঈশ্বৰৰ বাক্য প্ৰচাৰ কৰিলে৷ সেই সময়ত
যোহনো তেওঁলোকৰ পৰিচাৰক হৈ আছিল৷ ৬ এইদৰে তেওঁলোকে
সেই দ্বীপটোৰ চাৰিওফালে ফুৰি পাফঃ নগৰলৈকে গ'ল, তাতে বাৰ-
যীচু নামেৰে যি এজন যিহুদী মানুহ মায়াবী আৰু ভাঁৰিকোৱা ভাববাদী
আছিল, তেওঁক দেখা পালে৷ ৭ তেওঁ সেই দ্বীপৰ অধিপতি বুদ্ধিমান
চৰ্জ্জিয় পৌলৰ লগত আছিল৷ সেই অধিপতিয়ে ঈশ্বৰৰ বাক্য শুনিবলৈ
ইচ্ছা কৰি চৌল আৰু বাৰ্ণব্বাক মাতি পঠিয়ালে৷ ৮ কিন্তু ইলুমাই, অৰ্থাৎ
সেই মায়াবীয়ে (কিয়নো এয়ে তেওঁৰ নামৰ অৰ্থ) অধিপতিক বিশ্বাসৰ
পৰা আতৰাই অনাৰ উদ্দেশ্যেৰে তেওঁলোকৰ প্ৰতিৰোধ কৰিলে৷ ৯
তাতে চৌল, যি জনক পৌলো বোলে, তেওঁ পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ
হৈ, তেওঁলৈ স্হিৰ দৃষ্টিৰে চালে ১০ আৰু কলে, "হেৰৌ সকলো কপট
আৰু দুষ্কৰ্মেৰে পৰিপূৰ্ণ হোৱাটো, চয়তানৰ পুতেক আৰু সকলো প্ৰকাৰ
ধাৰ্মিকতাৰ শত্ৰু, তই প্ৰভুৰ সৰল পথ বিপৰীত কৰিবলৈ ৰখা নাই
নে? ১১ আৰু এতিয়া চা, প্ৰভুৰ হাত তোৰ ওপৰত আছে আৰু তই কিছু

সময়লৈকে সুৰ্য্য নেদেখি অন্ধ হৈ থাকিবি।” তেতিয়াই ইলুমাইৰ চকু
জলকতবক লাগিল আৰু অন্ধকাৰময় হ’ল; তেতিয়া তেওঁক হাতত
ধৰি নিবলৈ তেওঁ মানুহ বিচাৰিবলৈ ধৰিলে৷ ১২ এই ঘটনা দেখি,
সেই অধিপতিয়ে প্ৰভুৰ উপদেশত বিস্ময় মানি বিশ্বাস কৰিলে৷ ১৩
ইয়াৰ পাছত পৌল আৰু তেওঁৰ লগৰ কেইজনে পাফঃ নগৰৰ পৰা
সমুদ্ৰ-পথেদি পাম্ফুলিয়া দেশৰ পৰ্গা নগৰলৈ গ’ল৷ কিন্তু যোহনে
তেওঁলোকক এৰি, যিৰূচালেমলৈ উলটি আহিল৷ ১৪ পৌল আৰু তেওঁৰ
লগৰ কেইজনে পৰ্গাৰ পৰা যাত্ৰা কৰি পিচিদিয়া দেশৰ আন্তিয়খিয়া
নগৰ পাই তাতে বিশ্ৰামবাৰে নাম-ঘৰত সোমাই বহিল৷ ১৫ তাতে
বিধান-শাস্ত্ৰ আৰু ভাববাদী সকলৰ বাক্য পঢ়াৰ পাছত, নাম-ঘৰৰ
অধিকাৰী সকলে তেওঁলোকৰ ওচৰলৈ কৈ পঠিয়ালে বোলে, “হে ভাই
সকল, মানুহবোৰলৈ তোমালোকৰ যদি কোনো উদগণিৰ কথা আছে,
তেনেহলে সেই বিষয়ে কোৱা৷” ১৬ তেতিয়া পৌলে উঠি, হাতেৰে
ইংগিত দি কলে, “হে ইস্ৰায়েলীয়া মানুহবোৰ আৰু হে ঈশ্বৰ ভয়কাৰী
লোক সকল, শুনক৷ ১৭ এই ইস্ৰায়েলী সকলৰ ঈশ্বৰে আমাৰ ওপৰ-
পুৰুষ সকলক মনোনীত কৰিলে আৰু মিচৰ দেশত প্ৰবাসী হৈ থকা
সময়ত মানুহবোৰৰ উন্নতি সাধন কৰি, তাৰ পৰা নিজ পৰাক্ৰমেৰে
তেওঁলোকক বাহিৰ কৰি আনিলে৷ ১৮ আৰু দুকুৰিমান বছৰলৈকে
মৰুপ্ৰান্তত তেওঁলোকক পিতৃৰ নিচিনাকৈ প্ৰতিপালন কৰিলে৷ ১৯ পাছত
তেওঁ কনান দেশৰ সাত জাতিক উচ্ছেদ কৰি, তেওঁলোকৰ দেশখনক
উত্তৰাধিকাৰ স্বৰূপে ইস্ৰায়েলী সকলক দিলে৷ ২০ এইদৰে প্ৰায় চাৰি শ
পঞ্চাশ বছৰ পাৰ হৈ গ’ল৷ তাৰ পাছত, চমূৱেল ভাববাদীৰ সময়লৈকে
বিচাৰকৰ্তা সকলক নিযুক্ত কৰিলে৷ ২১ পাছত তেওঁলোকে এজন ৰজা
বিচৰাত, ঈশ্বৰে বিন্যামীন ফৈদৰ কীচৰ পুত্ৰ চৌলক চল্লিশ বছৰলৈকে
ৰাজত্ব কৰিবলৈ দিলে৷ ২২ ইয়াৰ পাছত ঈশ্বৰে ৰজাৰ শাসনৰ পৰা
তেওঁক আতৰাই, তেওঁলোকৰ ৰজা হবলৈ দায়ুদক মনোনীত কৰিলে৷
আৰু দায়ুদৰ বিষয়ে ঈশ্বৰে সাক্ষ্য দি কলে, ‘মোৰ মনৰ দৰে এজনক,
অৰ্থাৎ যিচয়ৰ পুত্ৰ দায়ুদক পালোঁ; তেওঁ মোৰ সকলো ইচ্ছা পূৰ্ণ
কৰিব৷’ ২৩ এই জন মানুহৰ বংশৰ পৰা ঈশ্বৰে প্ৰতিজ্ঞা কৰাৰ দৰে

এজন ত্ৰাণকৰ্তা, অৰ্থাৎ যীচুক ইস্ৰায়েলী লোকৰ আগত উপস্থিত
কৰিলে৷ ২৪ যীচু অহাৰ আগেয়ে, যোহনে ইস্ৰায়েলী লোক সকলৰ
আগত মন-পালটনৰ বাপ্তিস্মৰ কথা ঘোষণা কৰিলে৷ ২৫ যোহনে
তেওঁৰ কাৰ্য সম্পন্ন কৰোঁতে, এই কথা কৈছিল, 'আপোনালোকে মোক
কোন বুলি ভাবিছে? মই সেই জন নহওঁ৷ কিন্তু শুনক, এনে এজন মোৰ
পাছত আহি আছে, যি জনৰ চৰণৰ পাদুকাৰ বান্ধ খুলিবৰো মই যোগ্য
নহওঁ৷' ২৬ হে ভাই সকল, হে অব্ৰাহামৰ বংশৰ সন্তান সকল আৰু
আপোনালোকৰ মাজৰ ঈশ্বৰ ভয়কাৰী সকল, আমালৈ এই পৰিত্ৰাণৰ
বাক্য পঠোৱা হৈছে৷ ২৭ কিয়নো যিৰূচালেম নিবাসী আৰু তেওঁলোকৰ
শাসনকৰ্তা সকলে তেওঁক নাজানি আৰু প্ৰত্যেক বিশ্ৰামবাৰত পঢ়া
ভাববাদী সকলৰ বাক্যকো নুবুজি, যীচুক দোষাৰোপ কৰি, সেই বাক্য
পূৰ্ণ কৰিলে৷ ২৮ আনকি প্ৰাণদণ্ডৰ কোনো কাৰণ বিচাৰি নাপাই,
তেওঁক বধ কৰিবলৈ পীলাতৰ আগত নিবেদন কৰিলে, ২৯ আৰু তেওঁৰ
বিষয়ে যি যি কথা লিখা আছিল; তেওঁলোকে সেই সকলোকে সম্পন্ন
কৰি তেওঁক কাঠৰ পৰা নমাই মৈদামত শুৱাই থলে৷ ৩০ কিন্তু ঈশ্বৰে
তেওঁক মৃতবোৰৰ মাজৰ পৰা তুলিলে ৩১ আৰু গালীল প্ৰদেশৰ পৰা
যিৰূচালেমলৈ তেওঁৰ লগত অহা সকলক তেওঁ অনেক দিনলৈ দেখা
দি থাকিল৷ তেওঁলোকেই এতিয়া লোক সকলৰ আগত তেওঁৰ সাক্ষী
হৈ আছে৷ ৩২ গতিকে আমাৰ পূৰ্ব-পুৰুষ সকলৰ আগত ঈশ্বৰে কৰা
প্ৰতিজ্ঞাৰ বিষয়ে, আমি আপোনালোকক এই শুভবাৰ্তা জনাইছো: ৩৩
ঈশ্বৰে যীচুক মৃত্যুৰ পৰা তুলি, সেই প্ৰতিজ্ঞা আমাৰ সন্তান সকললৈ
সিদ্ধ কৰিলে৷ এই বিষয়ে গীতমালাৰ দুই নম্বৰ গীতত লিখা আছে,
বোলে, 'তুমি মোৰ পুত্ৰ, আজি মই তোমাক জন্ম দিলোঁ৷' ৩৪ ঈশ্বৰে
যীচুক যে মৃতবোৰৰ মাজৰ পৰা তুলিলে, আগলৈ ক্ষয় নাপাবলৈহে
তুলিলে৷ এই বিষয়ে ঈশ্বৰে কৈছিলঃ 'দায়ূদৰ ওচৰত যি যি পবিত্ৰ বিধান
আৰু সত্য প্ৰতিশ্ৰুতি দিছিলোঁ, সেই সকলো মই তোমালোকক দিম৷'
৩৫ এইদৰে আন গীতত তেওঁ কৈছে, 'তুমি তোমাৰ পবিত্ৰ জনক ক্ষয়
পাবলৈ নিদিবা৷' ৩৬ কিয়নো দায়ূদে ঈশ্বৰৰ ইচ্ছাৰ দৰে সেৱা কৰি,
তেওঁৰ সময়ত মানুহবোৰৰ উপকাৰ সাধন কৰিলে আৰু মহা-নিদ্ৰা

গ'ল, আৰু তেওঁক পিতৃপুৰুষ সকলৰ সৈতে মৈদামত থোৱা হোৱাত
ক্ষয় পালে, ৩৭ কিন্তু যি জনক ঈশ্বৰে তুলিলে, সেই জনে ক্ষয় নাপালে৷
৩৮ এই কাৰণে, হে ভাই সকল, সেই জনৰ দ্বাৰাই আপোনালোকৰ
আগত পাপ মোচনৰ ন্যায় বিষয়ৰ গ্ৰহণীয়তা প্ৰচাৰ কৰা হৈছে৷ ৩৯
আৰু মোচিৰ বিধানৰ দ্বাৰাই যি যি দোষৰ পৰা আপোনালোকে ন্যায্যতা
প্ৰদান কৰিব পৰা নাই; সেই আটাই দোষৰ পৰা যীচুত বিশ্বাস কৰাৰ
দ্বাৰাই সকলোৱে মুক্ত হয়, ইয়াক আপোনালোকে জানি লওঁক৷ ৪০
এতেকে সাৱধান হওক, যাতে কোনো ভাৱবাদী সকলৰ পুস্তকত লিখা
এই বাক্য মতে আপোনালোকলৈ যেন নঘটে, ভাববাদী সকলে কৈছে
- ৪১ 'হে হেয়জ্ঞানকাৰী সকল, তোমালোকে চোৱা, বিস্ময় মানা, আৰু
অন্তৰ্হিত হোৱা; এনে কৰ্ম মই তোমালোকৰ দিনত কৰিম, কিয়নো যি
কৰ্মৰ বিৱৰণ কোনোৱে তোমালোকক কলেও, তোমালোকে সেই
বিৱৰণ কোনোমতে বিশ্বাস নকৰিবা৷' ৪২ পাছত পৌল আৰু বাৰ্ণব্বা
ওলাই যাবলৈ ধৰোতে, মানুহবোৰে নিবেদন কৰি ক'লে, "অহা বিশ্ৰাম-
বাৰতো এইদৰে প্ৰচাৰ কৰা হওক৷" ৪৩ তেতিয়া নাম-ঘৰৰ সমাজ
ভাঙিলত, অনেক ইহুদী আৰু ইহুদী ধৰ্ম লোৱা ভক্ত সকলে পৌল
আৰু বাৰ্ণব্বাক অনুসৰণ কৰিলে, তাতে তেওঁলোকৰ সৈতে কথা-
বতৰা হৈ, ঈশ্বৰৰ অনুগ্ৰহত থিৰ হৈ থাকিবলৈ তেওঁলোকক উদগণি
দিলে৷ ৪৪ তাৰ পাছৰ বিশ্ৰামবাৰত নগৰৰ প্ৰায় সকলো মানুহে
ঈশ্বৰৰ বাক্য শুনিবলৈ গোট খালে৷ ৪৫ কিন্তু ইহুদী সকলে লোক
সকলক দেখি, ঈৰ্ষাৰে পুৰ হৈ নিন্দা কৰি কৰি পৌলে কোৱা কথা
অৱমাননা কৰিলে৷ ৪৬ তাতে পৌল আৰু বাৰ্ণব্বাই সাহসেৰে কলে,
"প্ৰথমতে আপোনালোকক ঈশ্বৰৰ বাক্য কোৱা উচিত আছিল৷ কিন্তু
আপোনালোকে নিজকে দুৰ কৰি অনন্ত জীৱনৰ অযোগ্য দেখুৱালে,
সেয়ে চাওক, আমি অনা-ইহুদী লোক সকলৰ মাজলৈ ঘুৰিলোঁ৷ **(aiōnios
g166)** ৪৭ কিয়নো প্ৰভুৱে আমাক এনে আজ্ঞা দিলে, 'তোমাক মই
অনা-ইহুদী লোকৰ পোহৰ কৰি থলোঁ, যেন তুমি জগতৰ সীমালৈকে
পৰিত্ৰাণস্বৰূপ হোৱা৷" ৪৮ অনা-ইহুদী লোকে ইয়াকে শুনি আনন্দিত
হৈ ঈশ্বৰৰ বাক্যৰ প্ৰশংসা কৰিলে৷ যি সকলক অনন্ত জীৱন পাবলৈ

নিৰূপিত আছিল, সেই সকলোৰে বিশ্বাস কৰিলে৷ (aiōnios g166) ৪৯
এইদৰে প্ৰভুৰ বাক্য সেই ঠাইৰ গোটেই অঞ্চলত বিয়পি গ'ল৷ ৫০
কিন্তু ইহুদী সকলে, ভক্ত ভদ্ৰ মহিলা সকলক আৰু নগৰৰ প্ৰধান
লোকক উচটাই, পৌল আৰু বাৰ্ণব্বাক তাড়না কৰি, তেওঁলোকৰ
সীমাৰ পৰা খেদাই দিলে। ৫১ তাতে তেওঁলোকে ভৰিৰ ধুলি সিহঁতৰ
অহিতে জোকাৰি পেলাই, ইকনিয় নগৰলৈ গ'ল৷ ৫২ আৰু শিষ্য সকল
আনন্দেৰে আৰু পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হ'ল৷

**১4** পাছত পৌল আৰু বাৰ্ণব্বাই ইকনিয় নগৰত সোমাই, দুয়ো
একেলগে ইহুদী সকলৰ নাম-ঘৰলৈ গ'ল। তাত তেওঁলোকে এনেকৈ
কথা ক'লে যে, ইহুদী আৰু গ্ৰীক সকলৰ বহুলোকে বিশ্বাস কৰিলে। ২
কিন্তু অবিশ্বাসী ইহুদী সকলে অনা-ইহুদী সকলক উচটাই তেওঁলোকৰ
মনবোৰ বিশ্বাসী ভাই সকলৰ অহিতে বিষময় কৰি তুলিলে। ৩ সেয়ে,
পৌল আৰু বাৰ্ণব্বাই প্ৰভুত থাকি, সাহসেৰে প্ৰচাৰ কৰি সেই নগৰতে
বেছ কিছুদিন থাকিল। প্ৰভুৱে তেওঁলোকৰ মাধ্যমেদি অদ্ভুত লক্ষণ
আৰু পৰাক্ৰম কাৰ্য কৰি, তেওঁৰ অনুগ্ৰহৰ বাক্যৰ সাক্ষ্য দিলে। ৪
তাতে নগৰৰ লোক সকলৰ মাজত দুটা দল হ'ল; এটা দলে ইহুদী
সকলৰ আৰু আনটো দলে পাঁচনি সকলৰ পক্ষ ললে। ৫ পাছত অনা-
ইহুদী আৰু ইহুদী সকলে নিজৰ অধিকাৰী সকলৰ সৈতে লগ হৈ
পৌল আৰু বাৰ্ণব্বাক অপমান কৰিবলৈ আৰু শিল দলিয়াই মাৰিবলৈ
ষড়যন্ত্ৰ কৰিলে। ৬ কিন্তু পৌল আৰু বাৰ্ণব্বাই এই বিষয়ে জানিবলৈ
পোৱাত লুকায়নিয়া দেশৰ লুস্ত্ৰা ও দৰ্বী নগৰ আৰু তাৰ ওচৰ-পাজৰৰ
অঞ্চললৈ পলাই গ'ল। ৭ তেওঁলোকে সেই ঠাইবোৰতো শুভবাৰ্তা প্ৰচাৰ
কৰিলে। ৮ লুস্ত্ৰা নগৰত ভৰিত বল নোহোৱা, কেতিয়াও খোজ নকঢ়া
ওপজাৰে পৰা খোৰা লোক এজন বহি আছিল আৰু ৯ তেওঁ পৌলৰ
কথাবোৰ শুনি আছিল। পৌলে তেওঁৰ ফালে একেথৰে চাই দেখিলে
যে লোক জনৰ সুস্থ হবৰ বাবে বিশ্বাস আছে। ১০ পৌলে তেতিয়া বৰ
মাতেৰে লোক জনক ক'লে, "তুমি তোমাৰ দুই ভৰিত ভৰ দি থিয়
হোৱা।" তাতে মানুহ জন লাফ মাৰি উঠিল আৰু খোজকাঢ়ি ফুৰিবলৈ
ধৰিলে। ১১ পৌলে কৰা এই কাৰ্য যেতিয়া লোক সকলে দেখা পালে,

তেওঁলোকে লুকায়নিয়া ভাষাত উচ্চস্বৰে কবলৈ ধৰিলে, “মানুহৰ ৰূপ লৈ দেৱতাবোৰ আমাৰ মাজত অৱতীৰ্ণ হৈছে।” ১২ তেওঁলোকে বাৰ্ণব্বাক “জীউছ” আৰু পৌল যিহেতু প্ৰধান বক্তা আছিল, সেয়েহে তেওঁক “হেৰমেনাচ” বুলি কবলৈ ধৰিলে। ১৩ নগৰৰ ঠিক বাহিৰতে জীউছৰ যি মন্দিৰ আছিল, তাৰ পুৰোহিতে কেইটামান ষাঁড় গৰু আৰু ফুলৰ মালা লৈ নগৰৰ দুৱাৰমুখলৈ আহিল; পুৰোহিত আৰু মানুহবোৰে সেইবোৰৰ বলি উৎসৰ্গ কৰিবলৈ বিচাৰিলে। ১৪ কিন্তু পাঁচনি বাৰ্ণব্বা আৰু পৌলে যেতিয়া এই কথা শুনিলে, তেতিয়া তেওঁলোকে নিজৰ পোছাক ফালি দৌৰি বাহিৰলৈ গৈ লোক সকলক উদ্দেশ্য কৰি চিঞৰি চিঞৰি ক’লে, ১৫ “ৰাইজ সকল, আপোনালোকে কিয় এইবোৰ কৰিছে? আমিও আপোনালোকৰ দৰে সকলো অনুভৱ কৰিব পৰা সাধাৰণ মানুহ। আমি আপোনালোকক শুভবাৰ্তা শুনাবলৈ আহিছোঁ। এই অসাৰ বিষয়বোৰ ত্যাগ কৰি, যি জন ঈশ্বৰে স্বৰ্গ, পৃথিৱী, সমুদ্ৰ আৰু তাৰ মাজত থকা সকলোকে সৃজন কৰিলে, সেই জনা জীৱিত ঈশ্বৰলৈ আপোনালোক ঘূৰিব আহিব লাগে। ১৬ অতীতত তেওঁ সকলো জাতিক নিজৰ ইচ্ছানুসাৰে চলিবলৈ দিছিল। ১৭ কিন্তু তথাপি তেওঁ নিজৰ বিষয়ে প্ৰমাণ নিদিয়াকৈ নাথাকিল। তেওঁ সকলোৰে মঙ্গল কৰে। তেওঁ আকাশৰ পৰা বৰষুণ আৰু বিভিন্ন ঋতুত শস্য দিয়ে। তেওঁ আপোনালোকলৈ আহাৰ যোগায় আৰু আপোনালোকৰ হৃদয় আনন্দেৰে পূৰ্ণ কৰে।” ১৮ এইবোৰ কথা কৈ পৌল আৰু বাৰ্ণব্বাই তেওঁলোকৰ উদ্দেশ্যে বলি উৎসৰ্গ কৰাৰ পৰা লোক সকলক কোনো মতেহে বাধা দি ৰাখিলে। ১৯ ইয়াৰ পাছত আন্তিয়খিয়া আৰু ইকনিয়ৰ পৰা কেইজনমান ইহুদী লোক আহি তাত থকা লোক সকলক প্ৰৰোচিত কৰাত মানুহবোৰে পৌললৈ শিল দলিয়ালে আৰু পাছত তেওঁ মৰিল বুলি ভাবি তেওঁক নগৰৰ বাহিৰলৈ চোঁচৰাই লৈ গ’ল। ২০ কিন্তু শিষ্য সকল আহি তেওঁক আগুৰি ধৰি থিয় হ’ল আৰু তাৰ পাছত তেওঁ উঠি পুনৰ নগৰলৈ গ’ল। পিছদিনা পৌল, বাৰ্ণব্বাৰে সৈতে দৰ্বী নগৰলৈ গ’ল। ২১ সেই নগৰত তেওঁলোকে শুভবাৰ্তা প্ৰচাৰ কৰিলে আৰু বহু লোক যীচুৰ শিষ্য হ’ল। পুনৰ তেওঁলোক লুস্ত্ৰা, ইকনিয় আৰু আন্তিয়খিয়ালৈ

উলটি গ’ল। ২২ তাত তেওঁলোকে শিষ্য সকলৰ মনোবল শক্তিশালী
কৰিলে আৰু বিশ্বাস অটুট ৰাখিবলৈ উৎসাহ যোগালে। তেওঁলোকে
শিষ্য সকলক ক’লে যে, “অনেক দুখভোগৰ মাজেদি আমি ঈশ্বৰৰ
ৰাজ্যত প্ৰৱেশ কৰিব লাগিব।” ২৩ পৌল আৰু বাৰ্ণব্বাই প্ৰাৰ্থনা আৰু
উপবাসেৰে সৈতে প্ৰত্যেকটো বিশ্বাসী মণ্ডলীত শিষ্য সকলৰ কাৰণে
পৰিচাৰক সকলক মনোনীত কৰিলে আৰু যি জন প্ৰভুত তেওঁলোকে
বিশ্বাস স্থাপন কৰিলে, তেওঁৰ হাতত তেওঁলোকক সঁপি দিলে। ২৪
ইয়াৰ পাছত তেওঁলোক পিচিদিয়া প্ৰদেশৰ মাজেদি পাম্ফুলিয়ালৈ
আহিল। ২৫ তেওঁলোকে পৰ্গাত বাক্য প্ৰচাৰ কৰি আত্তালিয়ালৈ গ’ল।
২৬ তাৰ পৰা পৌল আৰু বাৰ্ণব্বাই জাহাজেৰে আন্তিয়খিয়ালৈ আহিল।
যি কাৰ্য তেওঁলোকে এতিয়া সম্পূৰ্ণ কৰিলে, সেই কাৰ্যৰ কাৰণে এই
নগৰতে তেওঁলোকক ঈশ্বৰৰ অনুগ্ৰহলৈ সমৰ্পিত কৰা হৈছিল। ২৭
আন্তিয়খিয়া পোৱাৰ পাছত তেওঁলোকে মণ্ডলীৰ বিশ্বাসী সকলক
একত্ৰিত কৰিলে। ঈশ্বৰে তেওঁলোকলৈ যি যি কৰিলে আৰু কেনেকৈ
তেওঁ অনা-ইহুদী সকললৈ বিশ্বাসৰ দুৱাৰ মুকলি কৰি দিলে, সেই
সকলো কথা বিৱৰি ক’লে। ২৮ তাৰ পাছত পৌল আৰু বাৰ্ণব্বা শিষ্য
সকলৰ সৈতে সেই ঠাইত ভালেমান দিনলৈ থাকিল।

**১৫** যিহূদা প্ৰদেশৰ পৰা কেইজনমান লোক আহি বিশ্বাসী ভাই
সকলক এই শিক্ষা দিলে যে, “মোচিৰ বিধান অনুসাৰে চুন্নৎ কাৰ্য
নকৰিলে, আপোনালোকে উদ্ধাৰ নাপাব।” ২ পৌল আৰু বাৰ্ণব্বাই
এই শিক্ষাৰ বিৰোধিতা কৰিলে আৰু তেওঁলোকৰ মাজত তৰ্ক-বিতৰ্ক
হ’ল। পাছত ভাই সকলে সিদ্ধান্ত ললে যে, এই বিষয়ৰ মীমাংসাৰ
কাৰণে পৌল, বাৰ্ণব্বা আৰু আন কেইজনমান যিৰূচালেমত থকা পাঁচনি
আৰু পৰিচাৰক সকলৰ ওচৰলৈ যাওঁক। ৩ এই সিদ্ধান্তৰে মণ্ডলীয়ে
তেওঁলোকক যিৰূচালেমলৈ পঠাই দিলে। তেওঁলোকে ফৈনীকিয়া আৰু
চমৰীয়া দেশৰ মাজেদি গ’ল আৰু অনা-ইহুদী সকল যে খ্ৰীষ্ট বিশ্বাসী
হৈছে, সেই বিষয়ে ঘোষণা কৰিলে। এনেদৰে তেওঁলোকে বিশ্বাসী
ভাই সকলক অতি আনন্দিত কৰিলে ৪ পাছত তেওঁলোক যেতিয়া
যিৰূচালেম পায়হি, তেতিয়া মণ্ডলী, পাঁচনি আৰু পৰিচাৰক সকলে

তেওঁলোকক আদৰণি জনালে। ঈশ্বৰে তেওঁলোকৰ লগত থাকি যি যি
কৰিলে, সেই বিষয়ে তেওঁলোকে সকলো কথা জনালে। ৫ কিন্তু ফৰীচী
সকলৰ মাজৰ পৰা অহা কেইগৰাকীমান বিশ্বাসী থিয় হ'ল আৰু ক'লে,
"অনা-ইহুদী বিশ্বাসী সকলৰ চুন্নৎ কৰা আৱশ্যক আৰু মোচিৰ বিধান
পালন কৰিবলৈ তেওঁলোকক আজ্ঞা দিয়া হওক।" ৬ পাছত পাঁচনি
আৰু পৰিচাৰক সকলে এই বিষয়ে আলোচনা কৰিবলৈ একগোট হ'ল।
৭ বহু সময় ধৰি হোৱা তৰ্ক-বিতৰ্কৰ পাছত পিতৰে উঠি তেওঁলোকক
ক'লে, "ভাই সকল আপোনালোকে জানে যে, অনেক দিনৰ আগেয়ে
ঈশ্বৰে আপোনালোকৰ মাজত মোক মনোনীত কৰিছিল যেন অনা-
ইহুদী লোকে মোৰ মুখেৰে শুভবাৰ্তাৰ বাক্য শুনি বিশ্বাস কৰে৷ ৮
ঈশ্বৰে সকলোৰে হৃদয় জানে। তেওঁ আমাক যেনেকৈ পবিত্ৰ আত্মা
দান কৰিছিল, অনা-ইহুদী সকলকো সেইদৰে পবিত্ৰ আত্মা দান কৰি
তেওঁলোকলৈ সাক্ষ্য দিছিল। ৯ আমাৰ আৰু তেওঁলোকৰ মাজত ঈশ্বৰে
বিবেচনা কৰি একো পক্ষপাত নকৰিলে, বৰঞ্চ বিশ্বাস কৰাৰ পাছত
তেওঁলোকৰ হৃদয় ঈশ্বৰে শুচি কৰিলে। ১০ গতিকে, আমাৰ পিতৃপুৰুষ
আৰু আমি যি যুৱঁলিৰ বোজা বব পৰা নাই, সেই বোজা অনা-ইহুদী
শিষ্য সকলৰ কান্ধত তুলি দি এতিয়া আপোনালোকে কিয় ঈশ্বৰৰ
পৰীক্ষা কৰিছে? ১১ কিন্তু আমি বিশ্বাস কৰোঁ যে, তেওঁলোকেও আমাৰ
দৰেই প্ৰভু যীচুৰ অনুগ্ৰহৰ দ্বাৰাই পৰিত্ৰাণ লাভ কৰিব।" ১২ তেতিয়া
সকলো মানুহ নীৰৱ হৈ গ'ল আৰু বাৰ্ণব্বা আৰু পৌলৰ যোগেদি অনা-
ইহুদী সকলৰ মাজত ঈশ্বৰে যি আচৰিত কৰ্ম আৰু চিন দেখুৱালে, সেই
সকলো ঘটনা মানুহবোৰে তেওঁলোকৰ পৰা শুনিলে। ১৩ তেওঁলোকে
কথা কৈ শেষ কৰাৰ পাছত যাকোবে কবলৈ আৰম্ভ কৰিলে, "ভাই
সকল, মোৰ কথা শুনক। ১৪ চিমোন পিতৰে ক'লে, কেনেকৈ ঈশ্বৰে
প্ৰথমবাৰৰ বাবে অনা-ইহুদী সকলক প্ৰেম কৰিলে আৰু নিজৰ নামৰ
কাৰণে অনা-ইহুদী সকলৰ মাজৰ পৰা কিছুলোকক গ্ৰহণ কৰিলে।
১৫ এই বিষয়ত ভাৱবাদী সকলৰ কথাৰো মিল আছে, যেনেকৈ লিখা
আছে: ১৬ এইবোৰৰ পাছত মই উলটি আহিম, দায়ুদৰ ভাঙি যোৱা
পঁজা মই পুনৰায় গঢ়িম মই তাৰ ভগ্নাৱশেষ পুনৰ নিৰ্ম্মাণ কৰি থিক

কৰিম, ১৭ যাতে মানৱ জাতিৰ অৱশিষ্ট অংশই প্ৰভুৰ অন্বেষণ কৰিব
পাৰে; মোৰ নামেৰে আমন্ত্ৰিত সকলো অনা-ইহুদীও ইয়াৰ অন্তৰ্ভুক্ত।
১৮ যি জন প্ৰভুৱে পূৰ্বতে এই বিষয়বোৰ জনাইছিল, তেওঁ এই কথা
কৈছে।” (aiōn g165) ১৯ এই কাৰণে মোৰ বিচাৰ এই যে, যি সকল
অনা-ইহুদী লোক ঈশ্বৰলৈ ঘূৰিছে; আমি তেওঁলোকক কষ্ট দিয়া
উচিত নহয়। ২০ বৰং আমি তেওঁলোকলৈ এই কথা লিখি জনাওঁ যে,
তেওঁলোকে যেন মূৰ্তি পূজা বিষয়ক কোনো অশুচিতা, ব্যভিচাৰ আৰু
টেঁটু চেপি মৰা প্ৰাণীৰ মাংস আৰু তেজ খোৱা, এই সকলোবোৰৰ পৰা
পৃথকে থাকে। ২১ কিয়নো পূৰ্বকালৰে পৰা প্ৰত্যেক নগৰতে মোচিৰ
বিধান প্ৰচাৰ কৰা লোক সকল আছে আৰু প্ৰত্যেক বিশ্ৰামবাৰে ইহুদী
সকলৰ নাম-ঘৰত তেওঁলোকে সেইবোৰ পঢ়ে। ২২ তেতিয়া গোটেই
মণ্ডলীৰ সৈতে পাঁচনি আৰু পৰিচাৰক সকলে যাকোবৰ কথাত সমৰ্থন
দিলে আৰু তেওঁলোকৰ মাজৰ পৰা যিহূদা আৰু চীল, নামৰ মণ্ডলীৰ
দুজন নেতাক মনোনীত কৰি পৌল আৰু বাৰ্ণব্বাৰ লগত আন্তিয়খিয়ালৈ
পঠাবলৈ ঠিক কৰিলে। এই যিহূদাক বাৰ্চব্বা বুলিও মতা হয়। ২৩
তেওঁলোকৰ হাতত এইদৰে এখন পত্ৰ লিখি পঠালে: “আন্তিয়খিয়া,
চিৰিয়া আৰু কিলিকিয়াৰ অনা-ইহুদী বিশ্বাসী ভাই সকলৰ সমীপলৈ-
পাঁচনি, পৰিচাৰক আৰু বিশ্বাসী ভাই সকলৰ শুভেচ্ছা। ২৪ আমি
শুনিবলৈ পাইছো যে, আমাৰ মাজৰ পৰা গৈ কেইজনমান লোকে আমাৰ
আজ্ঞাৰ অবিহনে আপোনালোকক শিক্ষা দি মন অস্থিৰ কৰিছে আৰু
আপোনালোকক নানা সমস্যাৰ মাজত পেলাইছে। ২৫ সেয়েহে আমি
কেইজনমানক মনোনীত কৰিবলৈ একমত হ’লো আৰু তেওঁলোকক
আমাৰ প্ৰিয় ভাই বাৰ্ণব্বা আৰু পৌলৰ সৈতে আপোনালোকৰ ওচৰলৈ
পঠালোঁ। ২৬ পৌল আৰু বাৰ্ণব্বাই আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ নামৰ কাৰণে
নিজৰ জীৱন বিপদাপন্ন কৰিছে; ২৭ এই কাৰণে আমি যিহূদা আৰু
চীলক পঠালোঁ। তেওঁলোকে আপোনালোকক একেবোৰ কথাকে কব।
২৮ কিয়নো পবিত্ৰ আত্মা আৰু আমাৰ কাৰণে এইটোৱেই ভাল যেন
দেখিলোঁ যে, প্ৰয়োজনীয় এই বিষয়বোৰৰ বাহিৰে অতিৰিক্ত কোনো
বোজা আপোনালোকৰ ওপৰত জাপি দিয়া নহ’ব: ২৯ আপোনালোকে

মূৰ্তিৰ ওচৰত উৎসৰ্গ কৰা প্ৰসাদৰ পৰা বিৰত থাকক। তেজ আৰু
টেটু-চেপা দি মৰা কোনো প্ৰাণীৰ মাংস আৰু তেজ নাখাব; কোনো
ব্যভিচাৰ নকৰিব। এই সকলোবোৰৰ পৰা নিজক আতৰাই ৰাখিলে,
আপোনালোকৰ মঙ্গল হ'ব। ইতি।" ৩০ পৌল, বাৰ্ণব্বা আৰু সেই
লোক সকলক পঠাই দিয়াৰ পাছত তেওঁলোক আন্তিয়খিয়ালৈ গ'ল।
তাতে তেওঁলোকে লোক সকলক একত্ৰিত কৰি চিঠি খন দিলে। ৩১
পাছত লোক সকলে চিঠি খন পঢ়ি উৎসাহিত হৈ আনন্দ কৰিবলৈ
ধৰিলে। ৩২ যিহূদা আৰু চীল নিজেও ভাৱবাদী হোৱাত তেওঁলোকে
বহুতো কথাৰে ভাই সকলক উৎসাহ দি শক্তি যোগালে। ৩৩ এইদৰে
যিহূদা আৰু চীল কিছুদিন তাত থকাৰ পাছত, তেওঁলোকক পঠোৱা
লোক সকলৰ ওচৰলৈ উলটি যাবৰ কাৰণে ভাই সকলৰ পৰা কুশলে
বিদায় ললে। ৩৫ কিন্তু পৌল আৰু বাৰ্ণব্বা আন্তিয়খিয়াতে থাকিল।
তেওঁলোকে আন আন লোকেৰে সৈতে প্ৰভুৰ বাক্যৰ পৰা উপদেশ দি
প্ৰচাৰ কৰিবলৈ ধৰিলে। ৩৬ কিছুদিনৰ পাছত পৌলে বাৰ্ণব্বাক ক'লে,
"বলা, যিবোৰ নগৰত আমি প্ৰভুৰ বাক্য ঘোষণা কৰিছিলোঁ, সেই
ঠাইবোৰলৈ আমি এতিয়া উভটি যাওঁ আৰু ভাই সকলক দেখা কৰোঁ;
তাতে তেওঁলোক কেনে আছে তাক চাওঁগৈ।" ৩৭ তেতিয়া বাৰ্ণব্বাই
তেওঁলোকৰ লগত যোহনকো নিবলৈ ইচ্ছা কৰিলে। এই যোহনক মাৰ্ক
বুলিও মতা হয়। ৩৮ কিন্তু পৌলে ভাৱিলে, মাৰ্কক লগত নিয়াটো ভাল
নহ'ব, কাৰণ পাম্ফুলিয়াত মাৰ্কে তেওঁলোকৰ লগ এৰি উভতি গৈছিল।
পাছত তেওঁলোকৰ লগত কাম কৰিবলৈও নগ'ল। ৩৯ তাৰ ফলত
তেওঁলোক দুয়োৰে মাজত মত বিৰোধ হ'ল। পাছত পৰস্পৰে পৃথক
হৈ গ'ল। বাৰ্ণব্বাই মাৰ্কক লগত লৈ জাহাজেৰে কুপ্ৰ দ্বীপলৈ যাত্ৰা
কৰিলে। ৪০ কিন্তু পৌলে চীলক মনোনীত কৰিলে আৰু ভাই সকলে
তেওঁক প্ৰভুৰ অনুগ্ৰহৰ হাতত তুলি দিলে। পাছত তেওঁলোক তাৰ পৰা
ওলাই গ'ল। ৪১ পৌলে চিৰিয়া আৰু কিলিকিয়া দেশৰ মাজেদি গৈ
মণ্ডলী সমূহক অধিক শক্তিশালী কৰিলে।

**১৬** তাৰ পাছত পৌল দৰ্বী আৰু লুস্ত্ৰা চহৰলৈ গ'ল। তাতে তীমথিয়
নামৰ এজন খ্ৰীষ্টৰ শিষ্য আছিল। তীমথিয়ৰ মাতৃ আছিল এগৰাকী

যিহুদী খ্রীষ্টীয় বিশ্বাসীনী মহিলা আৰু পিতৃ গ্ৰীক লোক আছিল। ২ লুস্ত্রা
আৰু ইকনিয় চহৰৰ ভাই সকলে তীমথিয়ক অতি প্ৰশংসা কৰিছিল। ৩
পৌলে যাত্রাত তীমথিয়কো নিজৰ লগত লৈ যাবলৈ বিচাৰিলে আৰু
সেয়ে তেওঁক চুন্নৎ কৰালে; কাৰণ সেই অঞ্চলবোৰত ইহুদী লোক
আছিল আৰু তেওঁলোকে তীমথিয়ৰ পিতৃ গ্ৰীক জাতিৰ বুলি জানিছিল।
৪ পাছত তেওঁলোক নগৰবোৰৰ মাজেদি যাওঁতে যিৰূচালেমত পাঁচনি
আৰু পৰিচাৰক সকলে লিখি দিয়া নিৰ্দেশনাবোৰ পালন কৰিবলৈ
মণ্ডলীবোৰক জনালে। ৫ এইদৰে মণ্ডলীবোৰ বিশ্বাসত দৃঢ় হৈ দিনে
দিনে লেখত বৃদ্ধি পাবলৈ ধৰিলে। ৬ পবিত্ৰ আত্মাই পৌল আৰু তেওঁৰ
সংগী সকলক এচিয়া দেশত বাক্য প্ৰচাৰ কৰিবলৈ বাধা দিলে, তেতিয়া
তেওঁলোক ফিৰুগিয়া আৰু গালাতীয়াৰ অঞ্চলবোৰৰ মাজেদি গ'ল।
৭ আৰু মূচিয়াৰ সীমান্ত অঞ্চলত আহি তেওঁলোকে বিথুনিয়া গাওঁলৈ
যাবৰ বাবে চেষ্টা কৰিলে, কিন্তু প্ৰভু যীচুৰ আত্মাই তেওঁলোকক যাবলৈ
নিদিলে। ৮ সেয়েহে, তেওঁলোকে মূচিয়া পাৰ হৈ ত্ৰোৱা নগৰলৈ গুচি
গ'ল। ৯ নিশা পৌলে এটা দৰ্শন দেখিলে যে, এজন মাকিদনিয়া
মানুহে থিয় হৈ তেওঁক মিনতি কৰি কৈছে "মাকিদনিয়ালৈ আহি আমাক
সহায় কৰা।" ১০ পৌলে এই দৰ্শন পোৱাৰ পাছত আমি শীঘ্ৰেই
মাকিদনিয়ালৈ যাবৰ কাৰণে প্ৰস্তুত হ'লো। কাৰণ, আমি বুজি পালোঁ
যে মাকিদনিয়াৰ লোক সকলৰ আগত শুভবাৰ্তা প্ৰচাৰ কৰিবৰ বাবে
ঈশ্বৰে আমাক মাতিছে। ১১ পাছত ত্ৰোৱা এৰি আমি জাহাজেৰে পোনে
পোনে চামথাকীলৈ গলো আৰু পিছদিনা নিয়াপলি নগৰলৈ আহিলোঁ।
১২ তাৰ পৰা আমি মাকিদনিয়াৰ ফিলিপী নগৰলৈ গলো। ফিলিপী
নগৰ খন সেই এলেকাৰ এখন উল্লেখনীয় নগৰ আৰু ই এক ৰোমান
উপনিৱেশ। আমি এই নগৰত বহু দিন থাকিলো। ১৩ বিশ্ৰামবাৰে
আমি নগৰৰ দুৱাৰৰ বাহিৰেদি নদীৰ কাষলৈ গলো; ভাৱিছিলো,
তাত নিশ্চয় প্ৰাৰ্থনা কৰিবৰ বাবে ঠাই আছে৷ তাতে যি মহিলা সকল
আহি একেলগে মিলিত হৈছিল, পাছত আমি তেওঁলোকৰ কাষত
বহি কথা কবলৈ ধৰিলো। ১৪ সেই মহিলা সকলৰ মাজত থুয়াতীৰা
চহৰৰ ঈশ্বৰৰ উপাসনা কৰা লুদীয়া নামৰ এগৰাকী মহিলাও আছিল

আৰু তেওঁ বেঙুনীয়া কাপোৰৰ ব্যৱসায় কৰিছিল। তেওঁ আমাৰ কথা
শুনি আছিল। তাতে পৌলে যি কথা কৈ আছিল, সেই কথা মন দি
শুনিবলৈ প্ৰভুৱে লুদীয়াৰ হৃদয় মুকলি কৰিলে। ১৫ তাতে লুদীয়া আৰু
পৰিয়ালৰ সকলোৱে বাপ্তিস্ম ললে আৰু আমাক অনুৰোধ কৰি ক'লে,
“যদিহে মোক আপোনালোকে প্ৰভুৰ বিশ্বাসকাৰিণী বুলি বিবেচনা কৰে
তেনেহলে মোৰ ঘৰত আহি থাককহি।” এইদৰে তেওঁ আমাক বৰকৈ
জোৰ কৰিলে। ১৬ এদিন আমি যেতিয়া প্ৰাৰ্থনাৰ ঠাইলৈ গৈ আছিলোঁ,
তেতিয়া এক অশুচি আত্মাই লম্ভা এজনী অল্পবয়সীয়া ছোৱলী আমাৰ
আগত আহি উপস্থিত হ'ল। অশুচি আত্মাৰ প্ৰভাৱত তাই ভৱিষ্যতৰ
কথা কব পাৰিছিল আৰু এনেদৰে তাই মালিকবোৰক বহু লাভৱান
কৰিছিল। ১৭ এই ছোৱালী জনীয়ে পৌল আৰু আমাৰ পিছে পিছে
আহিল আৰু উচ্চস্বৰে ক'লে “এই মানুহবোৰ সৰ্বোপৰি ঈশ্বৰৰ দাস।
তেওঁলোকে পৰিত্ৰাণৰ পথৰ বিষয়ে আপোনালোকৰ আগত ঘোষণা
কৰিছে।” ১৮ এইদৰে তাই ভালেমান দিনলৈকে কৈ আছিল। শেষত
পৌলে বিৰক্ত হৈ, পিছলৈ ঘূৰি সেই আত্মাক ক'লে, “মই তোক যীচু
খ্ৰীষ্টৰ নামত আজ্ঞা দিছোঁ, তাইৰ পৰা বাহিৰ ওলা।” তেতিয়া লগে
লগে সেই ভূতৰ আত্মা বাহিৰ ওলাই গ'ল। ১৯ তাৰ পাছত তাইৰ
মালিকবোৰে যেতিয়া দেখিলে যে, তেওঁলোকৰ লাভৰ আশা নোহোৱা
হ'ল, তেতিয়া তেওঁলোকে পৌল আৰু চীলক ধৰি চোঁচৰাই বজাৰলৈকে
আনি শাসনকৰ্তা জনৰ ওচৰলৈ লৈ গ'ল। ২০ তাৰ পাছত তেওঁলোকক
শাসনকৰ্তা সকলৰ ওচৰলৈ নি ক'লে, “এওঁলোক ইহুদী মানুহ আৰু
আমাৰ নগৰত এওঁলোকে গণ্ডগোল আৰম্ভ কৰিছে। ২১ এওঁলোকে
এনেবোৰ শিক্ষা দিছে, যিবোৰ ৰোমান নাগৰিক হিচাপে গ্ৰহণ কৰা বা
পালন কৰা আমাৰ কাৰণে নীতি বিৰুদ্ধ।” ২২ তেতিয়া আন জনতাও
একেলগে পৌল আৰু চীলৰ বিৰুদ্ধে থিয় হ'ল। শাসনকৰ্তা সকলে
পৌল আৰু চীলৰ কাপোৰ ফালি সিহঁতক বেতেৰে কোবাবলৈ আদেশ
দিলে। ২৩ অতিকৈ মাৰধৰ কৰাৰ পাছত তেওঁলোকক বন্দীশালত
সুমুৱাই থলে আৰু কাৰাগাৰৰ অধ্যক্ষক কড়া পহৰা দিবলৈ আদেশ
দিলে। ২৪ কাৰাগাৰৰ অধ্যক্ষই এই আদেশ পাই পৌল আৰু চীলক

জেলৰ ভিতৰ কক্ষলৈ নি কাঠৰ বেৰিত তেওঁলোকৰ ভৰি আৰদ্ধ কৰি বান্ধি থলে। ২৫ তেতিয়া প্ৰায় মাজনিশা। পৌল আৰু চীলে ঈশ্বৰৰ উদ্দেশ্যে প্ৰাৰ্থনা কৰি স্তুতি-গীত গাই আছিল। আন কয়দী সকলেও তেওঁলোকে গোৱা স্তুতি-গীত শুনি আছিল। ২৬ এই সময়তে হঠাৎ এক বৰ ভূমিকম্প হ'ল আৰু বন্দীশালৰ ভেঁটি পৰ্যন্ত কঁপি উঠিল। তেতিয়া বন্দীশালৰ সকলো দুৱাৰ আৰু কয়দী সকলৰ শিকলিৰ বান্ধবোৰ খোল খাই গ'ল। ২৭ কাৰাগাৰৰ অধ্যক্ষই টোপনিৰ পৰা সাৰ পাই কাৰাগাৰৰ দুৱাৰবোৰ মুকলি দেখি, নিজৰ তৰোৱাল উলিয়াই আত্মঘাতী হবলৈ বিচাৰিলে। কিয়নো তেওঁ ভাৱিলে যে, কয়দীবোৰ পলাই গ'ল। ২৮ কিন্তু পৌলে চিঞৰি বৰ মাতেৰে ক'লে, "নিজৰ ক্ষতি নকৰিব৷ আমি সকলো ইয়াতে আছোঁ।" ২৯ তেতিয়া কাৰাগাৰৰ অধ্যক্ষই কাৰোবাক চাকি আনিবলৈ কৈ ভিতৰলৈ দৌৰি গ'ল আৰু ভয়তে কঁপি কঁপি পৌল আৰু চীলৰ আগত উবুৰি খাই পৰিল। ৩০ তেওঁলোকক বাহিৰলৈ আনি সুধিলে, "মহাশয় সকল, পৰিত্ৰাণ পাবলৈ হ'লে মই কি কৰিব লাগিব?" ৩১ তেওঁলোকে ক'লে, "প্ৰভু যীচুত বিশ্বাস কৰক, তেতিয়া আপুনি আৰু আপোনাৰ ঘৰৰ সকলোৱে পৰিত্ৰাণ লাভ কৰিব।" ৩২ তেওঁলোকে তাৰ পাছত কাৰাগাৰৰ অধ্যক্ষৰ লগতে তেওঁৰ ঘৰৰ সকলোকে প্ৰভুৰ বাক্য ক'লে। ৩৩ কাৰাগাৰৰ অধ্যক্ষই সেই নিশাই পৌল আৰু চীলক লৈ গৈ তেওঁলোকৰ আঘাতৰ ঠাইবোৰ ধুই দিলে আৰু তেওঁ সপৰিয়ালে তেতিয়াই বাপ্তিস্ম গ্ৰহণ কৰিলে। ৩৪ তেওঁ পৌল আৰু চীলক নিজৰ ঘৰলৈ আনি খাবলৈ দিলে আৰু পৰিয়ালৰ আটায়ে ঈশ্বৰত বিশ্বাস কৰাত, তেওঁ সমস্ত পৰিয়ালে সৈতে অতিশয় আনন্দ কৰিলে। ৩৫ পিছদিনা পুৱা শাসনকৰ্তা সকলে পৰীয়া সকললৈ এই বাৰ্তা দি পঠালে, "সেই মানুহকেইজনক এৰি দিয়া।" ৩৬ কাৰাগাৰৰ অধ্যক্ষই সেই কথা পৌলক জনাই ক'লে, "শাসনকৰ্তা সকলে আপোনালোকক এৰি দিবৰ কাৰণে আমাৰ ওচৰলৈ বাৰ্তা পঠাইছে; গতিকে আপোনালোক এতিয়া ওলাই আহক আৰু শান্তিৰে গুছি যাওঁক।" ৩৭ কিন্তু পৌলে তেওঁলোকক ক'লে, "আমি ৰোমান নাগৰিক; আমাক বিনা বিচাৰেৰে ৰাইজৰ আগত কোবাই কাৰাবন্দী কৰি থলে। এতিয়া তেওঁলোকে

আমাক গোপনে এৰি দিব বিচাৰিছে নেকি? এইটো হ’ব নোৱাৰে।
তেওঁলোক নিজে ইয়ালৈ আহি আমাক বাহিৰলৈ উলিয়াই নিব লাগিব।”
৩৮ পৰীয়া সকলে শাসনকৰ্তা সকলৰ ওচৰলৈ গৈ এই সম্বাদ দিলে।
তেতিয়া এই সম্বাদ পাই তেওঁলোকে পৌল আৰু চীলক ৰোমান লোক
বুলি জানিলে আৰু তেওঁলোকে ভয় খালে। ৩৯ পাছত শাসনকৰ্তা
সকলে আহি তেওঁলোকৰ ওচৰত ক্ষমা বিচাৰিলে আৰু বন্দীশালৰ পৰা
বাহিৰলৈ আনি নগৰ এৰি যাবলৈ তেওঁলোকক অনুৰোধ কৰিলে। ৪০
পৌল আৰু চীল কাৰাগাৰৰ পৰা ওলাই লুদীয়াৰ ঘৰলৈ গ’ল। তাতে
তেওঁলোক গৈ ভাই সকলৰ লগত দেখা হ’ল আৰু তেওঁলোকক উৎসাহ
উদ্দীপনা দিলে। তাৰ পাছত পৌল আৰু চীলে নগৰ এৰি গুছি গ’ল।

**১৭** ইয়াৰ পাছত তেওঁলোক আম্ফিপলি আৰু আপল্লোনিয়া নগৰৰ
মাজেদি থিচলনীকি চহৰলৈ গ’ল। তাত ইহুদী সকলৰ এটা নাম-
ঘৰ আছিল। ২ পৌলে তেওঁৰ নিয়ম অনুযায়ী ইহুদী সকলৰ নাম-
ঘৰলৈ গ’ল আৰু একেৰাহে তিনিটা বিশ্ৰাম-বাৰত তেওঁলোকৰ সৈতে
ধৰ্মশাস্ত্ৰৰ পৰা যুক্তিৰে আলোচনা কৰিলে। ৩ তেওঁ শাস্ত্ৰীয় বচন মেলি
ব্যাখ্যা কৰিলে যে, খ্ৰীষ্টই দুখভোগ কৰা আৰু মৃত্যুৰ পৰা পুণৰ্জীৱিত
হোৱাৰ প্ৰয়োজন আছিল। তেওঁ আকৌ ক’লে, “এই যি যীচুক মই
আপোনালোকৰ আগত প্ৰচাৰ কৰিছোঁ, সেই যীচুৱেই হৈছে খ্ৰীষ্ট।”
৪ তাতে কিছুমান ইহুদীয়ে এই কথাত সন্মতি জনাই পৌল আৰু
চীলৰ লগত যোগ দিলে। তাৰোপৰি অনেক ঈশ্বৰভক্ত গ্ৰীক আৰু
গণ্য-মান্য মহিলা সকলকে ধৰি এক বৃহৎ দলে তেওঁলোকৰ লগত
যোগ দিলে। ৫ কিন্তু বিশ্বাস নকৰা ইহুদী সকলে হিংসা কৰি বজাৰ
অঞ্চলৰ পৰা কিছুমান দুষ্ট লোকক মাতি আনি একগোট কৰিলে
আৰু নগৰৰ মাজত গণ্ডগোল লগাই দিলে। পৌল আৰু চীলক বিচাৰি
মানুহবোৰৰ মাজলৈ নিবৰ বাবে তেওঁলোকে যাচোনৰ ঘৰ আক্ৰমণ
কৰিলে। ৬ কিন্তু তাত তেওঁলোকক নাপাই যাচোন আৰু কোনো
কোনো ভাইক টানি আনি চহৰৰ শাসনকৰ্তাৰ আগলৈ লৈ গ’ল আৰু
চিঞৰি কবলৈ ধৰিলে, “যি লোক সকলে সমগ্ৰ পৃথিৱী উলট-পালট
কৰিছে, তেওঁলোক এতিয়া ইয়াতো উপস্থিত হৈছে, ৭ আৰু যাচোনে

তেওঁলোকক আলহী কৰি ৰাখিছে। এই লোক সকলে চীজাৰৰ আজ্ঞা অমান্য কৰি কৈ ফুৰিছে যে, যীচু নামৰ আন এজন ৰজা আছে।” ৮ এইবোৰ কথা শুনি সমবেত জনতা আৰু নগৰৰ শাসনকৰ্তা সকল উদ্বিগ্ন হৈ পৰিল। ৯ তেওঁলোকে যাচোন আৰু আন লোক সকলৰ পৰা জৰিমনা ললে আৰু জৰিমনা আদায় দিয়াৰ পাছত তেওঁলোকক যাবলৈ এৰি দিলে। ১০ সেই ৰাতিয়েই ভাই সকলে পৌল আৰু চীলক বিৰয়ালৈ পঠাই দিলে। সেই ঠাই পাই তেওঁলোক ইহুদী সকলৰ নাম-ঘৰলৈ গ'ল। ১১ থিচলনীকিৰ লোক সকলতকৈ বিৰয়াৰ লোক সকল উদাৰ মনোভাৱাপন্ন আছিল। তেওঁলোকে অতি আগ্ৰহেৰে বাক্য শুনি গ্ৰহণ কৰিলে আৰু সত্যতা জানিবলৈ প্ৰতিদিনে শাস্ত্ৰৰ বাক্য অনুসন্ধান কৰিলে। ১২ ইয়াৰ ফলত তেওঁলোকৰ মাজৰ অনেকে বিশ্বাস কৰিলে। এই বিশ্বাসী সকলৰ মাজত কেইজনমান প্ৰভাৱশালী গ্ৰীক মহিলা আৰু বহুত পুৰুষও আছিল। ১৩ কিন্তু পৌলে বিৰয়ালৈ আহি ঈশ্বৰৰ বাক্য প্ৰচাৰ কৰি আছে বুলি শুনিবলৈ পাই থিচলনীকিৰ ইহুদী সকল সেই ঠাইলৈ আহি লোক সকলক উত্তেজিত কৰিলে। ১৪ ভাই সকলে তেতিয়াই পলম নকৰি পৌলক সাগৰৰ তীৰলৈ পঠাই দিলে; কিন্তু চীল আৰু তীমথিয় বিৰয়াতে থাকিল। ১৫ যি সকল লোকে পৌলক লগত লৈ গৈছিল, তেওঁলোকে তেওঁক আথিনী চহৰলৈ লৈ গ'ল আৰু পৌলক তাতে এৰিলে। পাছত তেওঁলোকে পৌলৰ পৰা চীল আৰু তীমথিয়ৰ কাৰণে এই আদেশলৈ আহিল যে, তেওঁলোকে যেন অতি সোনকালে পৌলৰ লগ লয়। ১৬ আথিনী চহৰত পৌলে চীল আৰু তীমথিয়ৰ কাৰণে অপেক্ষাত থাকোতে, সেই চহৰ মূৰ্তিবোৰেৰে পূৰ্ণ হৈ থকা দেখিলে। তাতে তেওঁৰ অন্তৰ-আত্মা অতি ব্যথিত হৈ উঠিল। ১৭ সেয়ে তেওঁ ইহুদী আৰু ঈশ্বৰক উপাসনা কৰা গ্ৰীক সকলৰ লগত নাম-ঘৰত যুক্তিৰে আলোচনা কৰিলে। বজাৰ অঞ্চলতো প্ৰতিদিনে লগ পোৱা লোক সকলৰ লগত আলোচনা কৰিলে। ১৮ তাতে ইপিকূৰী আৰু স্তোয়িকী দৰ্শন-শাস্ত্ৰৰ দাৰ্শনিক কেইজনমানে পৌলৰ লগত তৰ্ক-যুদ্ধত লিপ্ত হ'ল। কিছুমানে ক'লে, “এই জনে বকবকাই কি কবলৈ বিচাৰিছে?” আন কোনোবাই ক'লে, “ই দেখিছোঁ কোনোবা

বিদেশী দেৱতাবোৰৰ কথা প্ৰচাৰ কৰিছে।” কাৰণ পৌলে যীচু আৰু
তেওঁৰ পুনৰুত্থানৰ বিষয়ে কৈ আছিল।
১৯ তেওঁলোকে পৌলক ধৰি
আৰেয়পাগৰ সভালৈ নি সুধিলে, “আপুনি এই যি নতুন শিক্ষা দিছে,
সেইটো কি, সেই বিষয়ে আমি জনিব পাৰোঁ নে?
২০ কিয়নো আপুনি
কিছুমান অদ্ভুত কথা আমাক শুনাইছে। গতিকে এই কথাবোৰৰ অৰ্থ
কি, সেই বিষয়ে আমি জানিব বিচাৰো।”
২১ আথিনীৰ লোক সকলে
আৰু তাত থকা বিদেশী সকলেও মাত্ৰ কিছুমান নিত্য নতুন বিষয় লৈ
আলোচনা কৰি বা শুনি আজৰি সময় কটায়।
২২ তেতিয়া পৌলে
আৰেয়পাগৰ সভাৰ মাজত থিয় হৈ ক’লে, “হে আথিনীৰ জনগণ, মই
দেখিছোঁ যে আপোনালোক সকলো ক্ষেত্ৰতে অতিশয় ধৰ্মপ্ৰাণ মানুহ।
২৩ কিয়নো মই ঘূৰি ফুৰোতে আৰু আপোনালোকে উপাসনা কৰা
বস্তুবোৰ লক্ষ্য কৰোঁতে, ‘অবিদিত ঈশ্বৰলৈ বেদি’ বুলি লিখা এটা বেদি
দেখা পালোঁ। এতেকে আপোনালোকে নাজানি যি জনৰ উপাসনা
কৰিছে, তেওঁৰ সম্বন্ধে মই আপোনালোকৰ ওচৰত প্ৰচাৰ কৰিছোঁ।
২৪ ঈশ্বৰ, যি জন পৃথিৱী আৰু তাত থকা সকলো বস্তুৰ সৃষ্টিকৰ্তা,
তেওঁ স্বৰ্গ আৰু পৃথিৱীৰ গৰাকী। তেওঁ মনুষ্যৰ হাতেৰে সজা মন্দিৰত
নিবাস নকৰে।
২৫ মনুষ্যৰ হাতৰ সেৱা কাৰ্য তেওঁৰ প্ৰয়োজন নাই।
তেওঁৰতো একোৰে অভাৱ নাই কাৰণ তেওঁ নিজেই সকলোকে জীৱন,
নিশ্বাস আৰু আন সকলো দিয়ে।
২৬ এজন মানুহৰ পৰা ঈশ্বৰে সমগ্ৰ
মানৱ জাতি সৃষ্টি কৰিলে যাতে তেওঁলোকে গোটেই পৃথিৱীতে বসবাস
কৰিব পাৰে। ঈশ্বৰে, মানুহে বসবাস কৰি থাকিব পৰা ঠাইৰ সীমা
আৰু নিৰ্দ্ধাৰিত কাল ঠিক কৰিলে।
২৭ সেয়ে, মানুহে ঈশ্বৰক বিচাৰিব
লাগে আৰু বিচাৰি যেন শেষত তেওঁক লগ পায়। আচলতে, তেওঁ
আমাৰ কাৰো পৰা দূৰৈত নাই।
২৮ কিয়নো আমি তেওঁতে জীয়াই
আছোঁ, চলা-ফুৰা কৰিছোঁ আৰু আছোঁ, যেনেকৈ আপোনালোকৰ
কবি সকলৰ এজনে কৈছে, ‘কাৰণ আমিও তেওঁৰ সন্তান।’
২৯ আমি
যদি ঈশ্বৰৰ সন্তান হওঁ, তেনেহলে মানুহৰ শিল্পকলা আৰু চিন্তাৰে
সজা সোণ, ৰূপ বা পাথৰৰ মূৰ্তিৰ দৰে ঈশ্বৰৰ ঐশ্বৰিকতাক আমি
কল্পনা কৰিব নালাগে।
৩০ এই কাৰণতে, মানুহৰ অজ্ঞানতাৰ এনে

কালছোৱাক ঈশ্বৰে ক্ষমাৰ চকুৰে চাইছে কিন্তু এতিয়া তেওঁ সকলো
ঠাইতে আটাই মানুহক মন-পালটন কৰিবলৈ আজ্ঞা দিছে। ৩১ কিয়নো
তেওঁ এনে এটা দিন নিৰূপণ কৰিছে যে, সেইদিনা তেওঁ মনোনীত কৰা
লোক জনৰ দ্বাৰাই গোটেই পৃথিৱীক ধাৰ্মিকতাত সোধ-বিচাৰ কৰিব।
ঈশ্বৰে সেই লোকক মৃতবোৰৰ মাজৰ পৰা তুলি সকলোৰে আগত
তেওঁৰ প্ৰমাণ দিলে। ৩২ আথিনীৰ লোক সকলে যেতিয়া মৃত সকলৰ
পুনৰুত্থানৰ কথা শুনিলে, কেইজনমানে পৌলক ঠাট্টা-মস্কৰা কৰিবলৈ
ধৰিলে; কিন্তু আন কোনো কোনোৱে ক'লে, "এই বিষয়ে আমি আকৌ
এবাৰ আপোনাৰ পৰা শুনিম।" ৩৩ ইয়াৰ পাছত পৌলে তেওঁলোকক
এৰি গুছি গ'ল। ৩৪ কিন্তু কেইজনমানে আহি পৌলক লগ ধৰিলে আৰু
বিশ্বাস কৰিলে। সেই বিশ্বাসী সকলৰ মাজত আৰেয়পাগৰ সদস্য
দিয়নুচিয়, দামাৰী নামৰ এগৰাকী মহিলা আৰু তেওঁলোকৰ লগত আন
কেইজনমান আছিল।

**১৮** ইয়াৰ পাছত পৌলে আথিনী এৰি কৰিন্থলৈ গ'ল। ২ তাতে তেওঁ
পন্ত দেশত জন্মা আক্কিলা নামৰ এজন ইহুদীক দেখা পালে; সেই
সময়ত তেওঁ, তেওঁৰ ভাৰ্যা প্ৰিস্কিলাক লৈ ইটালী দেশৰ পৰা আহিছিল,
কাৰণ ক্লৌদিয়ই সকলো ইহুদীকে ৰোম এৰি যাবলৈ নিৰ্দেশ দিছিল।
পৌল তেওঁলোকৰ ওচৰলৈ আহিল। ৩ তেওঁলোক যিহেতু ব্যৱসায়ত
পৌলৰ দৰে তম্বু বনোৱা লোক আছিল, সেয়েহে পৌলে তেওঁলোকৰ
লগতে থাকি কাম কৰিবলৈ ধৰিলে। ৪ প্ৰত্যেক বিশ্ৰামবাৰে পৌলে
নাম-ঘৰত যুক্তি-পৰামৰ্শৰে ইহুদী আৰু গ্ৰীক সকলক বিশ্বাস কৰিবলৈ
প্ৰত্যয় জন্মায়। ৫ চীল আৰু তীমথিয় মাকিদনিয়া দেশৰ পৰা অহাৰ
পাছত পৌলে আত্মাৰ দ্বাৰা অনুপ্ৰাণিত হৈ ঘোষণা কৰিলে আৰু ইহুদী
সকলৰ আগত যীচুৱেই যে খ্ৰীষ্ট হয়, সেই সাক্ষ্য দিলে ৬ যেতিয়া
ইহুদী সকলে পৌলৰ বিৰুদ্ধাচৰণ কৰি তেওঁক অপমান কৰিবলৈ
ধৰিলে, তেতিয়া পৌলে তেওঁলোকৰ ফালে নিজৰ কাপোৰ জোকাৰি
ক'লে, "আপোনালোকৰ তেজৰ দায় আপোনালোকৰ মূৰৰ ওপৰতে
থাকক; মই নিৰ্দোষী। এতিয়াৰ পৰা মই অনা-ইহুদী সকলৰ ওচৰলৈ
যাওঁ।" ৭ পাছত, তেওঁ তাৰ পৰা গৈ ঈশ্বৰৰ উপাসনা কৰা তীত-যুষ্ট

নামেৰে এজনৰ ঘৰত উপস্থিত হ'ল৷ তেওঁৰ ঘৰ নাম-ঘৰৰ কাষতে আছিল। ৮ পৌলৰ কথা শুনি নাম-ঘৰৰ অধিকাৰী ক্ৰীস্পে আৰু তেওঁৰ ঘৰৰ সকলোৱে প্ৰভুত বিশ্বাস কৰি বাপ্তিস্ম গ্ৰহণ কৰিলে৷ কৰিন্থীয়া সকলৰ মাজৰ বহুলোকে তেওঁৰ পৰা শুভবাৰ্তা শুনি বাপ্তিস্ম গ্ৰহণ কৰিলে। ৯ প্ৰভুৱে ৰাতি পৌলক দৰ্শন দি কলে "তুমি ভয় নকৰিবা, মনে মনে নাথাকি, প্ৰচাৰ কৰা; ১০ মই তোমাৰ লগত আছোঁ, কোনেও তোমাক হানি কৰিব নোৱাৰে, মোৰ বহু লোক এই নগৰত আছে৷'' ১১ তাতে পৌলে এবছৰ ছয় মাহ তেওঁলোকৰ মাজত থাকি ঈশ্বৰৰ বাক্য শিকালে। ১২ তেতিয়া গাল্লিয়ো আখায়া দেশৰ অধিপতি হৈ থকা সময়ত ইহুদী সকলে, পৌলৰ বিপক্ষে উঠি, তেওঁক বিচাৰৰ আসনৰ সন্মূখলৈ আনিলে; ১৩ তেওঁলোকে কলে, "এই লোক জনে বিধানৰ বিৰুদ্ধে গৈ ঈশ্বৰৰ উপাসনা কৰিবলৈ মানুহবোৰক উচটনি দিছে।" ১৪ পৌলে যেতিয়া কথা কবলৈ ইচ্ছা কৰিলে, তেতিয়া গাল্লিয়োৱে ইহুদী সকলৰ উদ্দেশ্যে কলে, "হে ইহুদী সকল, এয়ে অন্যায় বা আপত্তি জনক গোচৰ হোৱা হলে, মই তোমালোকৰ ওজৰ আপত্তি মানিলো হয়। ১৫ কিন্তু এই সকলো প্ৰশ্ন তোমালোকৰ বাক্য, নাম বা বিধানৰ বাদ-বিচাৰৰ কাৰণেহে ব্যৱহাৰ হয়, তেনেহলে এই বিষয়ে তোমালোকে নিজে বিচাৰ কৰি চাবা, এই বিষয়ে বিচাৰ কৰিবলৈ মই উৎসাহিত নহওঁ৷" ১৬ পাছত গেল্লিয়োৱে তেওঁলোকক বিচাৰৰ আসনৰ পৰা আতৰ কৰিলে। ১৭ তাতে তেওঁলোকে নাম-ঘৰৰ অধিকাৰী চোস্থিনিক বলপূৰ্ব্বক ধৰি আনি বিচাৰৰ আসনৰ ওচৰত মাৰধৰ কৰিলে, সিহঁতে কৰা কামবোৰত গাল্লিয়োৱে মনোযোগ নিদিলে। ১৮ পৌলে, সেই ঠাইতে বহু দিনলৈকে থাকি, ভাই সকলৰ পৰা বিদায় লৈ সাগৰীয় পথেদি চিৰিয়া দেশলৈ যাত্ৰা কৰিলে; তেওঁৰ লগত প্ৰিস্কিলা আৰু আক্কিলাও গ'ল৷ তেওঁ কিংক্ৰিয়াত নিজৰ মূৰ খুৰাইছিল; কিয়নো তেওঁৰ কোনো সংকল্প আছিল। ১৯ ইয়াৰ পাছত তেওঁলোক যেতিয়া ইফিচ নগৰ পালে, প্ৰিস্কিলা আৰু আক্কিলাক তাতে থাকিবলৈ দি পৌলে নিজে নাম-ঘৰত সোমাই ইহুদী সকলে সৈতে বাদ-বিচাৰ কৰিলে। ২০ তাতে আৰু কিছুদিন থাকিবলৈ তেওঁলোকে পৌলক অনুৰোধ কৰিলে,

কিন্তু তেওঁ অমান্তি হল। ২১ “ঈশ্বৰৰ ইচ্ছা হলে আপোনালোকৰ
ওচৰলৈ আকৌ আহিম।” এই বুলি কৈ, সাগৰীয় পথেদি ইফিচলৈ
যাবৰ বাবে জাহাজেৰে যাত্ৰা কৰিলে। ২২ পাছত চীজাৰিয়াত নামি,
যিৰূচালেমলৈ গৈ মণ্ডলীক আন্তৰিক অভিনন্দন জনাই, তাৰ পৰা
আন্তিয়খিয়ালৈ আহিল। ২৩ তেওঁ কিছুদিন তাতে থাকি, তাৰ পৰা
গালাতীয়া আৰু ফিৰুগিয়া দেশেদি ফুৰি ফুৰি সকলো শিষ্যক উৎসাহিত
কৰিলে। ২৪ সেই সময়ত আপল্লো নামেৰে এজন ইহুদী মানুহ ইফিচলৈ
আহিছিল৷ তেওঁ আলেকজেন্দ্ৰিয়া নিবাসী, এজন সুবক্তা আৰু ধৰ্মশাস্ত্ৰৰ
বিষয়বোৰত নিপূণ আছিল। ২৫ তেওঁ যোহনৰ বাপ্তিস্মৰ বিষয়ে শিক্ষা
পাইছিল আৰু আত্মাত উৎসাহিত হৈ ঈশ্বৰৰ বাক্য বিশদৰূপে ঘোষণা
কৰিছিল; কিন্তু তেওঁ যোহনৰ বাপ্তিস্মৰ বিষয়েহে জানিছিল। ২৬ পাছত
তেওঁ নাম-ঘৰত সাহসেৰে প্ৰচাৰ কৰিবলৈ ধৰিলে; তেতিয়া প্ৰিষ্কিলা
আৰু আক্কিলাই তেওঁৰ এই কথা শুনাত, তেওঁক তেওঁলোকৰ ওচৰলৈ
লৈ আহিল আৰু ঈশ্বৰৰ পথৰ বিষয়ে বিশদভাবে বুজাই দিলে। ২৭
যেতিয়া তেওঁ আখায়া দেশলৈ যাব বিছাৰিলে; ভাই সকলে উৎসাহ দি
তেওঁক আদৰি লবলৈ শিষ্য সকললৈ পত্ৰ লিখি প্ৰেৰণ কৰিলে; তাতে
তেওঁ সেই ঠাই পোৱাত অনুগ্ৰহৰ দ্বাৰাই বিশ্বাস কৰা সকলক মহৎ
উপকাৰ সাধন কৰিলে। ২৮ কিয়নো যীচু যে খ্ৰীষ্ট হয়, তেওঁ শাস্ত্ৰৰ
দ্বাৰাই এই বিষয়ে প্ৰমাণ কৰি দেখুৱালে, তাতে তেওঁ সৰ্ব্বসাধাৰণৰ
আগত ইহুদী সকলৰ আপত্তি খণ্ডন কৰিলে।

**১৯** আপল্লো কৰিন্থত থকা সময়ত পৌলে উচ্চভূমি অঞ্চলৰ মাজেদি
আহি ইফিচ চহৰ পালেহি; তাতে তেওঁ কেইজনমান শিষ্যক লগ
পালে৷ ২ পৌলে তেওঁলোকক সুধিলে, “আপোনালোকে যেতিয়া বিশ্বাস
কৰিলে, তেতিয়া পবিত্ৰ আত্মা পালে নে?” তেওঁলোকে তেওঁক কলে,
“পবিত্ৰ আত্মা দিয়া হৈছে নে নাই, সেই বিষয়ে আমি শুনিবলৈকে
নাপালোঁ।” ৩ তেতিয়া তেওঁ কলে, “তেনেহলে আপোনালোকে কি
কাৰণত বাপ্তাইজিত হ’ল?” তেওঁলোকে কলে, “যোহনৰ বাপ্তিস্ম
লোৱা দেখি”। ৪ তেতিয়া পৌলে কলে, “যোহনে লোক সকলক
কৈছিল, যি জন মোৰ পাছত আহিছে, তেওঁত অৰ্থাৎ যীচুত বিশ্বাস

কৰা; এই বুলি তেওঁ তেওঁলোকক মন-পালটনৰ বাপ্তিস্মৰে বাপ্তাইজ
কৰিলে।” ৫ এই কথা শুনি তেওঁলোকে প্ৰভু যীচুৰ নামেৰে বাপ্তাইজিত
হ’ল। ৬ ইয়াৰ পাছত পৌলে যেতিয়া তেওঁলোকৰ গাত হাত দিলে,
তেতিয়া তেওঁলোকৰ ওপৰলৈ পবিত্ৰ আত্মা আহিল; তাতে তেওঁলোকে
নানা ভাষাৰে কথা কৈ ভাবোক্তি প্ৰচাৰ কৰিলে। ৭ তেওঁলোক প্ৰায়
বাৰ জন মান মানুহ আছিল। ৮ পাছত পৌল নাম-ঘৰলৈ গ’ল আৰু
সেই ঠাইত তিনি মাহ মান থাকি নিৰ্ভীক ভাবে প্ৰচাৰ কৰিলে; আৰু
ঈশ্বৰৰ ৰাজ্যৰ বিষয়ে নানা কথাৰে বাদ-বিচাৰ কৰি লোক সকলক
মনোনিবেশ কৰিবলৈ তেওঁ বুজাই দিলে৷ ৯ কিন্তু তেওঁলোকৰ মাজৰ
কিছুমান লোকৰ মন কঠোৰ আৰু অবাধ্য হ’ল৷ তেওঁলোকে লোক
সকলৰ আগত খ্ৰীষ্টীয় পথৰ নিন্দা কৰিবলৈ ধৰিলে৷ তেতিয়া তেওঁ
তেওঁলোকক তাতে এৰি শিষ্য সকলক পৃথকে তুৰাণ্ণ নামেৰে এজনৰ
পঢ়াশালীলৈ নি নিতৌ কথোপকথন কৰিব ধৰিলে। ১০ এইদৰে তেওঁ
দুবছৰলৈ সেই ঠাইতে থাকিল, আৰু এচিয়াত বাস কৰা সকলো ইহুদী
আৰু গ্ৰীক সকলে প্ৰভুৰ বাক্য শুনিবলৈ পালে। ১১ ঈশ্বৰে পৌলৰ
হতুৱাই এনে পৰাক্ৰম কাৰ্য কৰালে যে, ১২ তেওঁৰ গাৰ পৰা গামোচা
বা কাপোৰ নৰিয়া মানুহৰ ওচৰলৈ লৈ যোৱাত, তেওঁলোকৰ ৰোগ
আতৰিল আৰু ভূতৰ আত্মাবোৰো ওলাই যোৱাত তেওঁলোক মুক্ত
হ’ল। ১৩ কিন্তু দেশ ভ্ৰমি ফুৰা কেইজনমান ইহুদী ভূত খেদাওঁতাই,
ভূতৰ আত্মাই ধৰা সকলৰ আগত প্ৰভু যীচুৰ নাম, নিজৰ কামত
ব্যৱহাৰ কৰি কয়, “যি জনাৰ কথা পৌলে প্ৰচাৰ কৰিছে, সেই যীচুৰ
শপত দি তোমালোকক আজ্ঞা দিছোঁ।” ১৪ স্কিবা নামৰ যিহুদী প্ৰধান
পুৰোহিত এজনৰ সাত জন পুতেকে এই কৰ্ম কৰিছিল। ১৫ তাতে
ভূতৰ আত্মাই উত্তৰ দি তেওঁলোকক ক’লে, “যীচুক জানো, পৌলকো
চিনি পাওঁ; কিন্তু তোমালোক নো কোন?” ১৬ এই বুলি সেই ভূতৰ
আত্মাই ধৰা মানুহ জনে তেওঁলোকৰ ওপৰত জাঁপ মাৰি আটাইকে
বশ কৰি বলেৰে পৰাজয় কৰিলে; তেতিয়া তেওঁলোক উলঙ্গ আৰু
আঘাত পাই, সেই ঘৰৰ পৰা পলাল। ১৭ পাছত ইফিচত নিবাস কৰা
ইহুদী আৰু গ্ৰীক সকলে এই কথা শুনি সকলোৱে ভয় পালে আৰু

প্ৰভু যীচুৰ নাম মহিমান্বিত হ'ল। ১৮ তেতিয়া বিশ্বাস কৰা সকলৰ বহু
লোক আহি, নিজ নিজ কৰ্ম স্বীকাৰ কৰিলে ১৯ আৰু মায়াকৰ্ম্ম কৰা
সকলৰ ভালেমান লোকে নিজ নিজ পুস্তক গোটাই আনি সকলোৰে
আগত পুৰি পেলালে। সেইবোৰৰ মূল্য গণনা কৰি পঞ্চাশ হাজাৰ
ৰূপৰ মুদ্ৰা পালে। ২০ এইদৰে মহা-পৰাক্ৰমেৰে প্ৰভুৰ বাক্য চৌদিশে
বিয়পি গল। ২১ এই কাৰ্য সম্পন্ন হোৱাত পৌলে মাকিদনিয়া আৰু
আখায়া দেশেদি ফুৰি যিৰূচালেমলৈ যাবৰ বাবে মন কৰি ক'লে,
'তালৈ যোৱাৰ পাছত মই ৰোম নগৰকো দেখা পাব লাগিব'। ২২
তাতে তেওঁৰ পৰিচৰ্যা কৰা সকলৰ মাজৰ তীমথিয় আৰু ইৰাস্তচ, এই
দুজনক মাকিদনিয়ালৈ পঠিয়াই দি তেওঁ নিজে এচিয়া দেশত কিছুদিন
থাকিল। ২৩ সেই সময়ত ইফিচত এই পথৰ সজাগতাৰ বিষয়ে বৰ
গোলমাল লাগিল। ২৪ কিয়নো আৰ্ত্তেমী দেৱীৰ ৰূপৰ মন্দিৰ সজা
দীমীত্ৰিয় নামেৰে এজন সোণাৰী আছিল; তেওঁ শিল্পকাৰ সকলক
বহুত কাম যোগাই দিছিল; ২৫ পাছত তেওঁ তেওঁলোকক আৰু একে
ব্যৱসায়ৰ কাৰিকৰ সকলক একগোট কৰি কলে- "হে লোক সকল,
এই ব্যৱসায়ৰ দ্বাৰাই আমাৰ সম্পত্তি হৈছে, ইয়াক আপোনালোকে
জানে। ২৬ কিন্তু 'যিবোৰ হাতেৰে সাজে, সেইবোৰ ঈশ্বৰ নহয়' পৌলে
এই কথা কৈ, অকল ইফিচৰ নহয়, প্ৰায় গোটেই এচিয়াত বহু লোকক
প্ৰভাম্বিত কৰি অপথে নিলে, ইয়াক আপোনালোকে দেখিছে আৰু
শুনিও আছে। ২৭ ইয়াতে যে অকল আমাৰ ব্যৱসায়ৰ অপযশ হোৱাৰ
শঙ্কা আছে, এনে নহয়; গোটেই এচিয়া, এনে কি গোটেই জগত
খনে পূজা কৰা যি আৰ্ত্তেমী মহা-দেৱী, তেওঁৰ মন্দিৰক একো যেন
গণ্য নকৰাৰ আৰু তেওঁক তেওঁৰ ঐশ্বৰ্যৰ পৰা আতৰোৱাৰ আশঙ্কা
আছে।" ২৮ এই কথা শুনি, তেওঁলোকে খঙত জ্বলি উঠি ৰিঙিয়াই
কলে, "ইফিচীয়া সকলৰ আৰ্ত্তেমী মহান।" ২৯ তেতিয়া গোটেই নগৰত
হুলস্থুল লাগিল৷ পৌলৰ লগত ফুৰা মাকিদনিয়াৰ গায় আৰু আৰিষ্টাৰ্খ
নামৰ লোক দুজনক তেওঁলোকে ধৰি নি একে মনেৰে মঞ্চলৈ উঠি
গ'ল। ৩০ সেই সময়ত পৌলে লোক সকলৰ মাজত সোমাবলৈ মন
কৰিলে কিন্তু শিষ্য সকলে তেওঁক যাবলৈ নিদিলে। ৩১ এচিয়াৰ

কেইজনমান খেলৰ অধিকাৰীয়ে পৌলৰ বন্ধু হৈ, তেওঁৰ ওচৰলৈ মানুহ পঠাই মঞ্চত দেখা নিদিবলৈ তেওঁক মিনতি কৰিলে। ৩২ সভাত গণ্ডগোল হোৱাত বেলেগ বেলেগ কথাৰে চিঞৰি আছিল আৰু কি কাৰণে গোট খাইছিল, সেই বিষয়ে সৰহ ভাগ মানুহে নাজানিলে। ৩৩ পাছত ইহুদী সকলে আলেকজেন্দাৰক আগলৈ ঠেলি লোক সকলৰ মাজৰ পৰা উলিয়াই আনিলে। তাতে আলেকজেন্দাৰে হাত চাপৰি দি, লোক সকলৰ আগত বহলাই কবলৈ বিচাৰিলে; ৩৪ কিন্তু তেওঁ ইহুদী মানুহ বুলি গম পাই, "ইফিচীয়া সকলৰ আৰ্ত্তেমী মহান!" এই কথা কৈ সকলোৱে দুঘণ্টা মানলৈকে একে মাতেৰে চিঞৰি থাকিল। ৩৫ পাছত নগৰৰ কেৰাণী জনে লোক সকলক ক্ষান্ত হবলৈ দি কলে, "হে ইফিচৰ লোক সকল, ইফিচীয়া সকলৰ মহান আৰ্ত্তেমী দেৱীক আকাশৰ পৰা তললৈ পৰা মূৰ্তিবোৰৰ মন্দিৰৰ-ৰক্ষক বুলি এই নগৰত থকা লোক সকলৰ মাজত নজনা লোক কোন আছে? ৩৬ এইবোৰ কথা অখণ্ডনীয় হোৱাৰ কাৰণে, আপোনালোকে বিচাৰ নকৰাকৈ একো নকৰি ক্ষান্ত হৈ থকা উচিত। ৩৭ কিয়নো এই যি মানুহবোৰক আপোনালোকে ইয়ালৈ আনিলে, তেওঁলোক পবিত্ৰ বস্তুৰ অপহাৰক বা আমাৰ দেৱীৰ নিন্দক নহয়। ৩৮ এতেকে কোনো মানুহৰ ওপৰত দীমীত্ৰিয় আৰু তেওঁৰ লগৰ কাৰিকৰ সকলৰ যদি কোনো গোচৰ থাকে, তেনেহলে আদালত খোলা আছে, তাতে গৈ ইজনে সিজনৰ বিচাৰৰ বাবে উত্তৰ-প্ৰত্যুত্তৰ কৰিব পাৰে। ৩৯ কিন্তু যদি আপোনালোকৰ আন বিষয়ৰ কোনো সমস্যা থাকে, তেনেহলে নিয়মিত সভাত সেই বিষয়ৰ নিস্পত্তি হব। ৪০ কিয়নো আজিৰ হুৰামুৰাৰ কোনো কাৰণ নথকাত, আমাৰ ওপৰত গোচৰ চলিবৰ শঙ্কা আছে আৰু এই জনতা গোট খোৱাৰ বিষয়ে আমি একো উত্তৰ দিব নোৱাৰিম।" ৪১ এই বুলি তেওঁ সভা সামৰিলে।

**২০** পাছত সেই হাই-উৰুমি শান্ত হোৱাত, পৌলে শিষ্য সকলক পঠিয়াই লোক সকলক উৎসাহিত কৰিলে আৰু বিদায় লৈ মাকিদনিয়ালৈ যাবৰ বাবে ওলাল। ২ পাছত সেই অঞ্চলেদি ফুৰি, বিভিন্ন কথাৰে শিষ্য সকলক উদগণি দি, তেওঁ গ্ৰীচ দেশ পালেগৈ। ৩ তাত তিনি মাহ থাকি, সমুদ্ৰ-পথেদি চিৰিয়া দেশত যাবলৈ উদ্যত হোৱাত, ইহুদী

সকলে তেওঁৰ বিৰুদ্ধে চক্ৰান্ত কৰিলে৷ তেতিয়া তেওঁ মাকিদনিয়াইদি উলটি যাবলৈ সিদ্ধান্ত গ্ৰহণ কৰিলে। ৪ তাতে কিছুমান ব্যক্তিও তেওঁৰ লগত যাবলৈ ওলাল। বিৰয়া নগৰৰ পুৰ্হৰ পুতেক চোপাত্ৰ, থিচলনীকীয়াৰ আৰিষ্টাৰ্খ আৰু চিকুণ্ড, দৰ্বী নগৰৰ গায় আৰু তীমথিয়, এচিয়াৰ তুখিক আৰু ত্ৰফিম, এই কেইজন লোক এচিয়ালৈকে তেওঁৰ লগত গ'ল। ৫ কিন্তু এওঁলোকে আগবাঢ়ি যোৱাত, ত্ৰোৱাত আমালৈ ৰৈ আছিল। ৬ পাছত খমিৰ নোহোৱা পিঠাৰ দিন পাৰ হৈ যোৱাত, আমি ফিলিপীৰ পৰা জাহাজেৰে যাত্ৰা কৰি গৈ, পাঁচ দিনত ত্ৰোৱাত তেওঁলোকক লগ পালোঁ; তাত সাত দিন থাকিলোঁ। ৭ আমি যেতিয়া সপ্তাহৰ প্ৰথম দিনটোত পিঠা ভাঙিবলৈ একগোট হলোঁ; পৌলে বিশ্বাসী সকলক উপদেশ দি আছিল, পাছদিনা তেওঁ যাবলৈ সিদ্ধান্ত লোৱাত, মাজৰাতিলৈকে বক্তৃতা দি আছিল। ৮ তেতিয়া আমি গোট খোৱা সেই ওপৰৰ কোঠালিত বহু চাকি জ্বলি আছিল। ৯ তাতে খিড়িকীত বহি উতুখ নামেৰে এজন ডেকা ঘোৰ টোপনিত মগ্ন হোৱাত, তৃতীয় মহলাৰ পৰা তললৈ পৰিল; পাছত তেওঁক মৃত অৱস্থাত পালে। ১০ তেতিয়া পৌলে নামি গৈ তাৰ গাত পৰি আকোঁৱালি ধৰি কলে, "আপোনালোকে কন্দা-কটা নকৰিব; কিয়নো এওঁৰ শৰীৰত প্ৰাণ আছে।" ১১ ইয়াৰ পাছত তেওঁ ওপৰলৈ গৈ পিঠা ভাঙি খালে আৰু বহু সময়লৈকে, অৰ্থাৎ ৰাতিপুৱালৈকে কথোপকথন কৰি কৰি, তেওঁলোকৰ ওচৰৰ পৰা এইদৰে গলগৈ। ১২ পাছত তেওঁলোকে সেই ল'ৰাক জীয়াই উঠা দেখি, অতি সান্ত্বনা পালে। ১৩ পাছত আমি আগবাঢ়ি গৈ পৌলক আঃচ নগৰত তুলি লোৱাৰ মনোভাবেৰে জাহাজত উঠি তালৈ যাত্ৰা কৰিলোঁ; কিয়নো পৌলে খোজকাঢ়ি যাবলৈ বিচৰাত আমি সেইদৰে থিৰাং কৰিলোঁ। ১৪ আঃচ নগৰত তেওঁ আমাক লগ ধৰিলে, ইয়াৰ পাছত আমি তেওঁক লগত লৈ মিতুলীনী দ্বীপলৈ যাত্ৰা কৰিলোঁ। ১৫ ইয়াৰ পৰা জাহাজেৰে যাত্ৰা কৰি পাছদিনা, খীয় দ্বীপৰ সন্মুখ পালোঁ আৰু দ্বিতীয় দিনা চামঃ দ্বীপত লগাই, আমি পাছদিনা মিলীত নগৰ পালোঁ। ১৬ কাৰণ পৌলে আগতেই সিদ্ধান্ত কৰিছিল যে, ইফিচত তেওঁ নাথাকিব; এচিয়াতো সময় অতিবাহিত নকৰিব৷ কিয়নো পঞ্চাশ-দিনীয়া পৰ্বৰ

সময়ত যিৰূচালেমত উপস্থিত থাকিবলৈ তেওঁৰ ইচ্ছা। ১৭ পাছত
তেওঁ মিলীতৰ পৰা ইফিচলৈ মানুহ পঠাই, মণ্ডলীৰ পৰিচাৰক সকলক
মতাই আনিলে। ১৮ তেওঁলোক তেওঁৰ ওচৰলৈ অহাত, তেওঁ কবলৈ
ধৰিলে "মই এচিয়ালৈ অহাৰ প্ৰথম দিনাৰে পৰা আপোনালোকৰ
লগত সকলো সময়ত থাকি, সম্পূৰ্ণ নম্ৰতা আৰু চকুলোৰে, ১৯
আৰু ইহুদী সকলৰ চক্ৰান্তৰ দ্বাৰাই মোলৈ ঘটা পৰীক্ষাতো কেনেকৈ
প্ৰভুৰ সেৱাকৰ্ম কৰিলোঁ ২০ আৰু কেনেকৈ আপোনালোকৰ আগত,
কোনো হিত কথা কবলৈ আৰু সৰ্ব্বসাধাৰণৰ আগত আৰু ঘৰে ঘৰে
আপোনালোকক উপদেশ দিবলৈ পাছ নুহুহকিলো, ২১ আৰু ঈশ্বৰলৈ
মন-পালটন আৰু প্ৰভু যীচু খ্ৰীষ্টত বিশ্বাস কৰাৰ বিষয়ে ইহুদী আৰু
গ্ৰীক সকলক সাৱধান কৰি তেওঁলোকৰ আগত সাক্ষ্য দিলোঁ; সেই
সকলো বিষয় আপোনালোকে নিজে জানিছে। ২২ আৰু এতিয়া চাওক,
মই পবিত্ৰ আত্মাৰ নিৰ্দেশত আৱদ্ধ হৈ যিৰূচালেমলৈ যাব ওলাইছো;
তাতে মোলৈ কি কি ঘটিব, সেই বিষয়ে নাজানো; ২৩ কেৱল ইয়াকে
জানিছোঁ যে, বন্ধন আৰু ক্লেশে মোলৈ বাট চাই আছে বুলি পবিত্ৰ
আত্মাই নগৰে নগৰে মোক সাক্ষ্য দিছে। ২৪ কিন্তু ঈশ্বৰৰ অনুগ্ৰহৰ
শুভবাৰ্তাৰ বিষয়ে সাক্ষ্য দিয়া আৰু মোৰ দৌৰ, অৰ্থাৎ প্ৰভু যীচুৰ পৰা
পোৱা মোৰ যি পৰিচৰ্যাৰ কাৰ্য, সেই কাৰ্য সম্পন্ন কৰাৰ লগত তুলনা
কৰিবলৈ গলে, মোৰ প্ৰাণ মোলৈ প্ৰিয় বুলি একোতে গণ্য নকৰোঁ। ২৫
এতিয়া চাওক, যি সকলৰ মাজত মই ঈশ্বৰৰ ৰাজ্যৰ বিষয়ে প্ৰচাৰ
কৰি ফুৰিলোঁ, সেই সকলৰ মাজত, আপোনালোকে মোৰ মুখ ইয়াৰ
পাছত যে দেখিবলৈ নাপাবা, ইয়াকো মই জানিছোঁ। ২৬ এই হেতুকে
মই যে আটাইৰে তেজৰ পৰা নিৰ্দোষী, ইয়াৰ সাক্ষ্য আজি দিছোঁ; ২৭
কিয়নো আপোনালোকক ঈশ্বৰৰ আটাই পৰিকল্পনা জনাবলৈ পাছ
নুহুহকিলো। ২৮ আপোনালোকে নিজৰ বাবে আৰু পবিত্ৰ আত্মাই
যি সকলৰ মাজত আপোনালোকক অধ্যক্ষ পাতিলে, সেই সকলোৱে
সাৱধান হৈ, ঈশ্বৰে নিজৰ তেজেৰে যি মণ্ডলীক কিনিলে, সেই মণ্ডলীক
প্ৰতিপালন কৰক। ২৯ মই যোৱাৰ পাছত, দূৰ্জন ৰাংকুকুৰবোৰে
আপোনালোকৰ মাজত সোমাই, জাকলৈ নিৰ্দয় আচৰণ কৰিব; ৩০

আৰু আপোনালোকৰ মাজৰ পৰাও কোনো কোনো মানুহ ওলাই, সিহঁতৰ পাছে পাছে শিষ্য সকলক আকৰ্ষণ কৰি বিপথে নিবলৈ বিচাৰিব, ইয়াক মই জানিছোঁ। ৩১ এতেকে আপোনালোকে পৰ দি থাকক৷ মই যে চকুলোৰে তিনি বছৰলৈকে দিনে-ৰাতিয়ে প্ৰতিজনক সচেতন কৰিবলৈ নেৰিলোঁ, ইয়াকো সোঁৱৰণ কৰক। ৩২ এতিয়া, যি ঈশ্বৰে আপোনালোকক বিশ্বাসত বৃদ্ধি কৰিব পাৰে আৰু পবিত্ৰীকৃত হোৱা সকলৰ মাজত উত্তৰাধীকাৰ দিব পাৰে, তেওঁলৈ আৰু তেওঁৰ অনুগ্ৰহৰ বাক্যলৈ আপোনালোকক সমৰ্পন কৰি দিলোঁ। ৩৩ মই কাৰো ৰূপ বা সোণ বা কাপোৰত লোভ কৰা নাই। ৩৪ মই আৰু মোৰ সঙ্গী সকলৰ প্ৰয়োজনলৈ মোৰ এই হাতেৰে উপাৰ্জন কৰি সেৱা কৰিলোঁ, এই বিষয়ে আপোনালোকে নিজে জানে। ৩৫ সকলো বিষয়তে মই আপোনালোকক আৰ্হি দেখুৱালোঁ; আপোনালোকে সেইদৰে পৰিশ্ৰম কৰি, দূৰ্বল সকলক উপকাৰ কৰা উচিত আৰু প্ৰভু যীচুৰ বাক্য সোঁৱৰা উচিত৷ তেওঁ নিজে কৈছিল- “গ্ৰহণ কৰাতকৈ দান কৰা ধন্য।” ৩৬
এইবোৰ কথা কোৱাৰ পাছত, তেওঁ আঁঠু লৈ সকলোৰে সৈতে প্ৰাৰ্থনা কৰিলে৷ ৩৭ পাছত সকলোৱে বৰ ক্ৰন্দন কৰিলে আৰু পৌলৰ ডিঙিত ধৰি চুমা খালে৷ ৩৮ “মোৰ মুখ আৰু দেখিবলৈ নাপাব” বিশেষকৈ এই কথাৰ কাৰণে তেওঁলোকে গভীৰভাৱে শোক কৰিলে; পাছত তেওঁক জাহাজলৈকে আগবঢ়াই থৈ আহিল।

২১ সেই ঠাইত আমি তেওঁলোকৰ পৰা পৃথক হৈ জাহাজেৰে পোন বাটেদি কো দ্বীপলৈ গৈ পাছদিনা ৰোদঃ দ্বীপ পালোঁ৷ তাৰ পৰা আমি পাতাৰা নগৰলৈ যাত্ৰা কৰিলোঁ। ২ পাতাৰাত ফৈনীকিয়া অঞ্চলেদি যোৱা এখন জাহাজ পোৱাত, আমি সেই জাহাজত উঠি যাত্ৰা কৰিলোঁ।
৩ পাছত কুপ্ৰ দ্বীপ দেখা পাই, তাক বাঁওহাতে এৰি, চিৰিয়া দেশলৈ গৈ, তুৰনগৰত নামিলো; কিয়নো তাত জাহাজৰ মাল-বস্তু দিবলগীয়া আছিল। ৪ সেই ঠাইৰ শিষ্য সকলক বিচাৰি পোৱাত, আমি তাতে সাত দিন থাকিলো; তেওঁলোকে পবিত্ৰ আত্মাৰ দ্বাৰাই পৌলক যিৰূচালেমলৈ যাবৰ বাবে মানা কৰিলে। ৫ আমি সেই কেইদিন তাতে থাকি ওলাই যাওঁতে, তেওঁলোকে লৰা-তিৰোতাৰ সৈতে সকলোৱে নগৰৰ

বাহিৰলৈকে আমাক আগবঢ়াই থলে আৰু সাগৰৰ তীৰত আঁঠু লৈ
প্ৰাৰ্থনা কৰি, পৰস্পৰে বিদায় ললোঁ। ৬ আমি জাহাজত উঠিলো কিন্তু
তেওঁলোকে নিজ নিজ ঘৰলৈ উলটি গল। ৭ পাছত আমি তুৰৰ পৰা
গৈ, তলিমায়ি পাই, সমুদ্ৰ-যাত্ৰা শেষ কৰিলোঁ আৰু ভাই সকলক
মঙ্গলবাদ জনাই তেওঁলোকৰ লগত এদিন থাকিলোঁ। ৮ পাছদিনা
আমি তাৰ পৰা ওলাই গৈ, চীজাৰিয়া পালোঁ। তাতে সাত জনৰ মাজৰ
শুভবাৰ্তা প্ৰচাৰক যি ফিলিপ, তেওঁৰ ঘৰত থাকিলোঁ। ৯ তাত তেওঁৰ
ভাবোক্তি প্ৰচাৰ কৰা চাৰিজনী অবিবাহিতা জীয়েক আছিল। ১০ তাত
আমি কেইদিনমান থাকোঁতে, যিহুদীয়াৰ পৰা আগাব নামেৰে এজন
ভাববাদী আহিল। ১১ তেওঁ আমাৰ ওচৰলৈ আহি পৌলৰ ককালৰ
পৰা টঙালি লৈ নিজৰ হাত-ভৰি বান্ধি কবলৈ ধৰিলে, "পবিত্ৰ আত্মাই
এই কথা কৈছে যাৰ এই টঙালি, সেই মানুহক যিৰূচালেমত ইহুদী
সকলে এইদৰে বান্ধি অনা-ইহুদী লোকৰ হাতত শোধাই দিব।" ১২
এই কথা শুনি তাত থকা লোক সকলে আৰু আমিও পৌলক এই ঠাই
এৰি যিৰূচালেমলৈ নাযাবৰ বাবে মিনতি কৰিলোঁ। ১৩ তেতিয়া পৌলে
উত্তৰ দিলে, "আপোনালোকে কান্দি কান্দি মোৰ হৃদয় বিদাৰি, কি
কৰিব বিছাৰিছে? কিয়নো মই প্ৰভু যীচুৰ নামৰ কাৰণে, যিৰূচালেমত
কেৱল বান্ধ খাবলৈ নহয়, মৰিবলৈকো যুগুত হৈ আছোঁ।" ১৪ তাতে
পৌলে আমাৰ কথা গ্ৰহণ কৰিবলৈ নিবিচৰাত, আমি ক্ষান্ত হলোঁ
আৰু কলোঁ, "প্ৰভুৰ যি ইচ্ছা সেয়ে হওক।" ১৫ তাৰ পাছত আমাৰ
সম্বল গোটাই প্ৰস্তুত হলোঁ আৰু যিৰূচালেমলৈ যাত্ৰা কৰিলোঁ। ১৬
তাতে চীজাৰিয়াৰ পৰাও কিছুমান শিষ্য আমাৰ লগত আহিল। ম্লাচোন
নামেৰে কুপ্ৰ দ্বীপৰ তেওঁৰ যি পুৰণি শিষ্যৰ ঘৰত আমি আলহী হৈ
থকাৰ কথা আছিল, তেওঁকো লগত লৈ অহা হ'ল। ১৭ আমি যিৰূচালেম
পোৱাত, ভাই সকলে আনন্দেৰে আমাক গ্ৰহণ কৰিলে। ১৮ পাছদিনা
পৌল আমাৰ সৈতে যাকোবৰ তাত সোমোৱাত পৰিচাৰক সকলো
তাত উপস্থিত হ'ল। ১৯ পাছত তেওঁ তেওঁলোকক মঙ্গলবাদ কৰিলে
আৰু ঈশ্বৰে তেওঁৰ পৰিচৰ্যাৰ দ্বাৰাই অনা-ইহুদী লোকৰ মাজত যি যি
কৰিলে; সেই বিষয়ে এটা এটাকৈ বৰ্ণনা কৰিলে। ২০ এই কাৰ্যবোৰ

শুনি তেওঁলোকে ঈশ্বৰৰ প্ৰশংসা কৰিলে আৰু তেওঁক কলে, “হে ভাই,
তুমি জানা যে, ইহুদী লোকৰ মাজত বিশ্বাস কৰা সকলৰ যি লোক
আছে আৰু তেওঁলোক সকলোৱে বিধানত উৎসাহী। ২১ কিন্তু তোমাৰ
বিষয়ে তেওঁলোকে এই সম্বাদ পালে; তুমি বোলে, অনা-ইহুদী সকলৰ
মাজত থকা ইহুদী লোকক মোচিক ত্যাগ কৰিবলৈ শিকাইছা আৰু
কৈছা বোলে, তেওঁলোকে লৰাৰ চুন্নৎ কৰিব নালাগে আৰু ৰীতি মতে
আচৰণ কৰিব নালাগে। ২২ এতেকে কি হব? তুমি আহিলা বুলিও
তেওঁলোকে অৱশ্যে শুনিছে। ২৩ এতেকে আমি তোমাক এটা কথা
কওঁ, তুমি তাকে কৰা; সঙ্কল্প কৰা আমাৰ চাৰি জন মানুহ আছে; ২৪
তেওঁলোকৰ লগত একেলগে নিজকে শুচি কৰা আৰু তেওঁলোকৰ মূৰ
খূৰাবলৈ তুমি খৰচ দিয়া। এই বিষয়ে যি সম্বাদ পালে, সেয়ে যে একো
নহয়, আৰু তুমি যে নিজে বিধান পালন কৰি নিয়মিতৰূপে আচৰণ
কৰি চলিছা, সেই বিষয়ে সকলোৱে জানিব। ২৫ কিন্তু অনা-ইহুদী
সকলৰ মাজত বিশ্বাস কৰা সকলৰ বিষয়ে হলে, তেওঁলোকে মূৰ্তিক
দিয়া প্ৰসাদ, টেটু-চেপা দি মৰা জন্তুৰ মাংস আৰু তেজ খোৱা আৰু
ব্যভিচাৰৰ পৰা নিজকে ৰাখিবলৈ আমি নিশ্চয় কৰি নিৰ্দেশনা লিখি
পঠালোঁ।” ২৬ তেতিয়া পৌলে সেই মানুহকেইজনক লৈ পাছদিনা
মন্দিৰত সোমাল আৰু তেওঁলোকৰ প্ৰতিজনৰ কাৰণে নৈবেদ্য উৎসৰ্গ
হোৱালৈকে, শুচি কৰা কাৰ্যত কিমান দিন লাগিব, সেই বিষয়ে জনালে।
২৭ কিন্তু সেই সাত দিন প্ৰায় শেষ হলত, এচিয়া দেশৰ ইহুদী সকলে
তেওঁক মন্দিৰত দেখি, গোটেই লোক সকলক উচতাই, তেওঁক ধৰি
ৰিঙিয়াই কলে, ২৮ “হে ইস্ৰায়েলৰ সন্তান সকল, সহায় কৰা; যি মানুহে
আমাৰ জাতিৰ বিধানৰ আৰু এই ঠাইৰ বিৰুদ্ধে আটাই ঠাইতে সকলো
লোকক শিক্ষা দিব লাগিছে, এই জনেই তেওঁ। ইয়াৰ বাহিৰেও গ্ৰীক
মানুহকো মন্দিৰৰ ভিতৰলৈ আনি, এই পবিত্ৰ ঠাই অপবিত্ৰ কৰিলে।”
২৯ কিয়নো তেওঁলোকে আগেয়ে ত্ৰফিম নামেৰে ইফিচীয়া এজনক
নগৰৰ মাজত পৌলৰ লগত দেখিছিল; আৰু তেওঁ তাক মন্দিৰৰ
ভিতৰলৈ আনিছিল বুলি তেওঁলোকে ভাবিছিল। ৩০ তাতে গোটেই
নগৰ অস্থিৰ হোৱাত, মানুহবোৰ লৰি আহি পৌলক ধৰি মন্দিৰৰ

পৰা বাহিৰলৈ টানি লৈ গল আৰু তেতিয়াই দুৱাৰবোৰ বন্ধ কৰা
হল। ৩১ এইদৰেই তেওঁলোকে তেওঁক বধ কৰিবলৈ যত্ন কৰোঁতেই,
যিৰূচালেমৰ গোটেইখনত হুলস্থুল লগাৰ কথা সৈন্য দলৰ হাজাৰৰ
সেনাপতিয়ে শুনিলে, ৩২ তেতিয়াই তেওঁ সেনাবোৰৰ সৈতে এশৰ
সেনাপতিবিলাকক লগত লৈ তেওঁলোকৰ ওচৰলৈ বেগাই আহিল।
তাতে তেওঁলোকে হাজাৰৰ সেনাপতি আৰু সেনাবোৰক দেখি, পৌলক
কোবাবলৈ এৰিলে। ৩৩ পাছত হাজাৰৰ সেনাপতিয়ে ওচৰলৈ আহি,
তেওঁক ধৰি, দুডাল শিকলিৰে বান্ধিবলৈ আজ্ঞা দিলে; পাছত সুধিলে-
"এইটো কোন আৰু কি নো কৰিলে।" ৩৪ তাতে লোক সকলৰ মাজত
বেলেগ বেলেগ মানুহে বেলেগ বেলেগ কথাৰে ৰিঙিয়া-ৰিঙি কৰাত,
কোলাহলৰ কাৰণে তেওঁ একো নিশ্চয় কৰিব নোৱাৰি, পৌলক দুৰ্গৰ
ভিতৰলৈ নিবলৈ আজ্ঞা দিলে। ৩৫ পাছত জখলাত উঠোতে, লোক
সকলৰ উগ্ৰতাৰ কাৰণে, সেনাবোৰৰ দ্বাৰাই তেওঁক দাঙি নিয়া হল; ৩৬
কিয়নো লোক সকলে পাছে পাছে গৈ ৰিঙিয়াই ৰিঙিয়াই কলে, "তাক
দূৰ কৰক"। ৩৭ পাছত পৌলক দুৰ্গৰ ভিতৰলৈ নিবলৈ ধৰোতেই,
তেওঁ হাজাৰৰ সেনাপতিক কলে, "আপোনাৰ আগত মই কিছু কথা
কবলৈ পাৰোঁ নে?" তেতিয়া সেনাপতিয়ে সুধিলে, "তুমি গ্ৰীক ভাষা কব
জানা নে? ৩৮ যি জন মিচৰীয়াই ইয়াৰ আগেয়ে ঘাতক সকলৰ মাজৰ
চাৰি হাজাৰ মানুহক উচতাই লগত লৈ অৰণ্যলৈ গৈছিল, তুমি সেই
জন নোহোৱা নে?" ৩৯ কিন্তু পৌলে কলে, "মই কিলিকিয়া দেশৰ তাৰ্চ
নগৰৰ যিহুদী মানুহ, সামান্য মানুহ নহওঁ। বিনয় কৰোঁ, মানুহবোৰৰ
আগত কথা কবলৈ মোক অনুমতি দিয়ক।" ৪০ পাছত তেওঁক অনুমতি
দিয়াত, পৌলে জখলাৰ ওপৰত থিয় হৈ, মানুহবোৰৰ সন্মূখত হাত
দাঙি সম্ভাষণ জনালে; তাৰ পাছত লোক সমূহ অতি নিজম দি থাকিল
আৰু তেওঁ ইব্ৰী ভাষাৰে তেওঁলোকক কবলৈ আৰম্ভ কৰিলে,

**২২** হে ভাই আৰু পিতৃসকল, এতিয়া আপোনালোকৰ আগত মই
নিজৰ পক্ষে যি উত্তৰ দিম, সেই বিষয়ে শুনকচোন৷ ২ যেতিয়া
লোকসকলে ইব্ৰী ভাষাৰে কথা কোৱা শুনিলে, তেতিয়া তেওঁলোক
নিমাত হ'ল৷ তেওঁ কলে, ৩ "মই যিহুদী মানুহ, কিলিকিয়া দেশৰ তাৰ্চ

নগৰ মোৰ ওপজা ঠাই, কিন্তু এই নগৰত প্ৰতিপালিত হৈ, গমলীয়েল অধ্যাপকৰ চৰণত ঠিকমতে আমাৰ পূৰ্ব-পুৰুষ সকলৰ পৰা প্ৰচলিত বিধানৰ শিক্ষা পালোঁ; আৰু আজি আপোনালোক যেনে হৈ আছে, মযো সেইদৰে ঈশ্বৰলৈ উৎসাহী হৈ আছিলোঁ;
৪ আৰু এই পথৰ পুৰুষ আৰু মহিলা সকলক বান্ধি বন্দীশালত শোধাই দি, আনকি মৰণলৈকে তেওঁলোকৰ ওপৰত তাড়না কৰিছিলোঁ।
৫ এই বিষয়ে মহা-পুৰোহিত আৰু পৰিচাৰক সকলৰ সমাজ খনো মোৰ সাক্ষী আছে৷ তেখেত সকলৰ পৰাই পত্ৰ লৈ, দম্মোচকত যি সকল এই পথৰ ভাই আছিল, সেই লোকসকলক দণ্ড দি বান্ধি যিৰূচালেমলৈ আনিবৰ কাৰণে তালৈ যাত্ৰাও কৰিছিলোঁ।
৬ কিন্তু মই যাত্ৰা কৰি দম্মোচক নগৰৰ ওচৰ পাওঁতে, দুপৰীয়া সময়ত অকস্মাতে আকাশৰ পৰা উজ্বল পোহৰ আহি মোৰ চাৰিওফালে প্ৰকাশিত হ'ল৷
৭ তাতে মই মাটিত বাগৰি পৰিলোঁ আৰু 'হে চৌল, হে চৌল, মোক কিয় তাড়না কৰিছা?' মোলৈ কোৱা এনে বাণী শুনিলোঁ।
৮ মই উত্তৰ দিলোঁ, "হে প্ৰভু, আপুনি কোন?" তেওঁ মোক ক'লে, 'তুমি যি জনক তাড়না কৰিছা, মই সেই নাচৰতীয়া যীচু৷'"
৯ মোৰ সঙ্গীসকলেও সেই পোহৰ দেখিবলৈ পালে, কিন্তু মোক কথা কোৱা জনৰ মাত শুনা নাছিল৷
১০ পাছত মই সুধিলোঁ, 'প্ৰভু, মই কি কৰিব লাগিব'? প্ৰভুৱে মোক ক'লে, 'উঠা আৰু দম্মোচকলৈ যোৱা; তাতে তুমি কৰিবলগীয়া যি যি আছে, সেই সকলোবোৰৰ বিষয়ে তোমাক তাতে কোৱা হ'ব৷'
১১ সেই পোহৰৰ প্ৰতাপৰ কাৰণে মই দেখা পোৱা নাছিলোঁ, সেয়েহে সঙ্গীসকলৰ হাতত ধৰি দম্মোচকলৈ গ'লো৷
১২ পাছে সেই নগৰ নিবাসী ইহুদী সকলৰ মাজত সুখ্যাতি পোৱা অননিয় নামেৰে বিধানৰ ভক্ত এজনক লগ পালোঁ৷
১৩ পাছত তেওঁ আহি মোৰ ওচৰত থিয় হৈ কলে, 'হে ভাই চৌল, দৃষ্টি পোৱা৷' সেই মুহুৰ্ততে মই তেওঁক দেখা পালোঁ৷
১৪ পাছত তেওঁ মোক কলে, 'আমাৰ ওপৰ-পুৰুষ সকলৰ ঈশ্বৰে তোমাক মনোনীত কৰিলে, যাতে তুমি ঈশ্বৰৰ ইচ্ছা জানা আৰু ধাৰ্মিক জনক দেখা পোৱা৷ এতিয়া তেওঁৰ মুখৰ বাক্য শুনা;
১৫ কাৰণ যি যি দেখিলা, শুনিলা, সকলো মানুহৰ আগত তেওঁলৈ তাৰ সাক্ষী হ'বা৷
১৬ এতিয়া কিয় পলম কৰিছা? উঠা,

তেওঁৰ নামত প্ৰাৰ্থনা কৰি বাপ্তাইজিত হৈ, নিজৰ পাপ ধুই পেলোৱা৷'
১৭ তাৰ পাছত মই যিৰূচালেমলৈ উলটি আহি মন্দিৰত প্ৰাৰ্থনা কৰি
থাকোতে মুৰ্চ্ছা গ'লো৷ ১৮ তাতে তেওঁ মোক কোৱা শুনিলো, 'তুমি
লৰালৰিকৈ যিৰূচালেমৰ পৰা বেগাই ওলাই যোৱা, কিয়নো এই
মানুহবোৰে তুমি মোৰ বিষয়ে দিয়া সাক্ষ্য গ্ৰহণ নকৰিব৷' ১৯ মই
ক'লো, 'হে প্ৰভু, মই যে প্ৰত্যেক নাম-ঘৰত সোমাই তোমাক বিশ্বাস
কৰা সকলক কোবাই কোবাই বন্দীশালত থৈছিলোঁ ২০ আৰু তোমাৰ
সাক্ষী স্তিফানৰ ৰক্তপাতৰ সময়ত, ময়ো নিজে ওচৰত থিয় হৈ সন্মতি
দি, তেওঁক বধ কৰা সকলৰ কাপোৰ ৰাখিছিলোঁ৷' ২১ কিন্তু তেওঁ মোক
কলে, 'যোৱা, কিয়নো মই তোমাক দুৰৈত থকা অনা-ইহুদী সকলৰ
ওচৰলৈ পঠিয়াম৷' ২২ এইখিনিলৈকে তেওঁৰ কথা শুনি, তেওঁলোকে
চিঞৰি কলে, "এনে মানুহক পৃথিৱীৰ পৰা দূৰ কৰক: কিয়নো সি
জীয়াই থকাৰ যোগ্য নহয়৷" ২৩ তেওঁলোকে ৰিঙিয়াই ৰিঙিয়াই, নিজৰ
নিজৰ কাপোৰ পেলাই, ওপৰলৈ ধুলি উৰুৱাই থাকোঁতে, ২৪ হাজাৰৰ
সেনাপতিয়ে পৌলক দুৰ্গৰ ভিতৰলৈ নিবলৈ আজ্ঞা দিলে আৰু তেওঁৰ
অহিতে মানুহবোৰে কি কাৰণত এনেদৰে আটাহ পাৰিছে, সেই বিষয়ে
জানিবলৈ তেওঁক চাবুকেৰে কোবাই সুধিবলৈ আজ্ঞা দিলে৷ ২৫ পাছত
তেওঁক চাবুকেৰে কোবাবলৈ চামৰাৰ ফিটাৰে বন্ধা হ'ল, তেতিয়া
পৌলে ওচৰত থিয় হৈ থকা এশৰ সেনাপতিক কলে, "বিনা দণ্ডাজ্ঞাৰে
ৰোমীয়া মানুহক চাবুকেৰে কোবাবলৈ আইন মতে আপোনালোকৰ
ক্ষমতা আছে নে?" ২৬ এশৰ সেনাপতিয়ে এই কথা শুনি হাজাৰৰ
সেনাপতিৰ ওচৰলৈ গৈ কলে, "আপুনি কি কৰিবলৈ উদ্যত হৈছে?
কিয়নো এই মানুহ জন এগৰাকী ৰোমীয়া নাগৰিক৷" ২৭ তেতিয়া
হাজাৰৰ সেনাপতিয়ে আহি তেওঁক কলে, "মোক কোৱাচোন, তুমি
এগৰাকী ৰোমীয়া নাগৰিক নে?" পৌলে কলে, "হয়"৷ ২৮ হাজাৰৰ
সেনাপতিয়ে উত্তৰ দিলে, "মই ভালেমান ধন ভৰিহে নাগৰিকত্ব লাভ
কৰিছিলোঁ৷" কিন্তু পৌলে কলে, "মই জন্মতেই এজন ৰোমীয় নাগৰিক৷"
২৯ তেতিয়া যি সকলে তেওঁৰ সোধ-বিচাৰ কৰিবলৈ উদ্যত হৈছিল,
তেওঁলোকে তেতিয়াই তেওঁৰ ওচৰৰ পৰা গুচি গ'ল আৰু হাজাৰৰ

সেনাপতিয়ে পৌল এগৰাকী ৰোমীয়া নাগৰিক বুলি জানি ভয় খালে, কাৰণ তেওঁ নিজে তেওঁক বন্ধাইছিল৷ ৩০ পাছদিনা ইহুদী সকলে পৌলক কি অপবাদ দিছিল, হাজাৰৰ সেনাপতিয়ে তাৰ নিশ্চয়তা জানিব বিচাৰিলে৷ গতিকে তেওঁক বান্ধোনৰ পৰা মুকলি কৰি দিলে আৰু প্ৰধান পুৰোহিত সকল আৰু মহাসভাৰ সকলোকে গোট খাবলৈ আজ্ঞা দিলে৷ পাছত তেওঁ পৌলক নমাই আনি তেওঁলোকৰ মাজত উপস্থিত কৰালে৷

২৩ পৌলে মহাসভালৈ পোনপটীয়াকৈ চাই ক'লে, "হে ভাইসকল, মই সকলো বিষয়তে উত্তম বিবেকেৰে ঈশ্বৰৰ প্ৰজাৰ দৰে আজিলৈকে আচৰণ কৰি আছোঁ৷" ২ এনেতে অননিয় নামেৰে মহা-পুৰোহিতে, ওচৰত থিয় হৈ থকা সকলক তেওঁৰ মুখত মাৰিবলৈ আজ্ঞা দিলে৷ ৩ তেতিয়া পৌলে তেওঁক ক'লে, "হে বগাকৈ লিপা গড়, ঈশ্বৰে আপোনাকহে াঘাত কৰিবলৈ উদ্যত হৈ আছে৷ আপুনি বিধানৰ মতে মোৰ সোধ-বিচাৰ কৰিবলৈ বহি আছে, নে সেই বিধান উলঙ্ঘন কৰি মোক মাৰিবলৈ আজ্ঞা দিছে?" ৪ তাতে ওচৰত থিয় হৈ থকা সকলে ক'লে, "তই ঈশ্বৰৰ মহা-পুৰোহিতক অপমান কৰ নে?" ৫ পৌলে ক'লে, "হে ভাইসকল, এওঁ যে মহা-পুৰোহিত, সেই বিষয়ে মই জনা নাছিলো৷ কিয়নো লিখা আছে, 'তুমি স্বজাতীয় লোকৰ শাসনকৰ্তাক কু-বাক্য নুবুলিবা৷'" ৬ পাছত পৌলে তেওঁলোকৰ এভাগ ফৰীচী, এভাগ চদ্দূকী বুলি জানি, মহাসভাত ৰিঙিয়াই ক'লে, "হে ভাইসকল, মই ফৰীচী, আৰু এজন ফৰীচীৰ পুতেক৷ কাৰণ মৃতসকলৰ পুনৰুত্থানৰ আশাৰ বিষয়ে মোৰ সোধ-বিচাৰ হৈছে৷" ৭ তেওঁ এই কথা কওঁতে, ফৰীচী আৰু চদ্দূকী সকলৰ মাজত বিবাদ হ'ল, আৰু লোকসকল দুভাগত ভাগ হ'ল৷ ৮ কিয়নো চদ্দূকীসকলে পুনৰুত্থান, স্বৰ্গৰ দূত আৰু আত্মা, এইবোৰ নাই বুলি কয়, কিন্তু ফৰীচী সকলে সেইবোৰ স্বীকাৰ কৰে৷ ৯ তাতে বৰকৈ হুলস্থুল হ'ল আৰু ফৰীচীসকলৰ ফলীয়া বিধানৰ অধ্যাপক সকলৰ কেইজনমানে উঠি বাগ্‌যুদ্ধ কৰি ক'লে, "আমি এই মানুহ জনৰ ওচৰত একো দোষ নাপাও৷ যদি কোনো আত্মা নাইবা দূতে দম্মোচকৰ পথত সঁচাকৈ তেওঁৰ সৈতে কথা ক'লে;"

১০ তেতিয়া অতিশয় বিবাদ হ'ল, তেওঁলোকে পৌলক ডোখৰ ডোখৰ
কৰিব বুলি হাজাৰৰ সেনাপতিয়ে ভয় কৰি, সেনাবোৰক নামি গৈ
তেওঁলোকৰ মাজৰ পৰা তেওঁক বলেৰে কাঢ়ি দুৰ্গৰ ভিতৰলৈ নিবলৈ
আজ্ঞা দিলে৷ ১১ তাতে সেই ৰাতি প্ৰভুৱে তেওঁৰ ওচৰত থিয় হৈ ক'লে,
"নিৰ্ভয় হোৱা, কিয়নো যিৰূচালেমত যেনেকৈ মোৰ বিষয়ে সাক্ষ্য দিলা,
ৰোম নগৰতো তেনেকৈ সাক্ষ্য দিব লাগিব৷" ১২ পাছ দিন ৰাতিপুৱা
হোৱাত ইহুদী সকলে এক পৰামৰ্শ হৈ, পৌলক বধ নকৰালৈকে আমি
ভোজন-পান নকৰোঁ বুলি, শপতেৰে নিজকে বান্ধিলে৷ ১৩ সেই চক্ৰান্ত
কৰা লোক চল্লিশ জনতকৈ অধিক আছিল৷ ১৪ তেওঁলোকে প্ৰধান
পুৰোহিত আৰু পৰিচাৰক সকলৰ ওচৰলৈ গৈ ক'লে, "পৌলক বধ
নকৰালৈকে আমি একো নাখাওঁ, এই শপত খাই নিজকে বান্ধিলোঁ৷
১৫ এই কাৰণে আপোনালোকৰ মহাসভাৰ সৈতে এই বিষয়ে অধিক
নিশ্চিত ভাবে জানিবৰ ছলেৰে, আপোনালোকৰ ওচৰলৈ তেওঁক
আনিবৰ বাবে হাজাৰৰ সেনাপতিৰ আগত আবেদন কৰিব, তেতিয়া
সি আপোনালোকৰ ওচৰ আহি নাপাওঁতেই আমি তাক বধ কৰিবলৈ
সাজু হৈ থাকিম৷" ১৬ কিন্তু পৌলৰ ভাগিনিয়েকে তেওঁলোকৰ এই
খাপ দিয়া কথা শুনি, দুৰ্গত সোমাই গৈ পৌলক ক'লে৷ ১৭ তেতিয়া
পৌলে এজন এশৰ সেনাপতিক মাতি ক'লে, "এই ডেকাক হাজাৰৰ
সেনাপতিৰ ওচৰলৈ লৈ যোৱা, কিয়নো তেওঁৰ আগত এই বিষয়ে
কোনো সম্বাদ জনাবলৈ আছে৷" ১৮ তেতিয়া তেওঁ তাক লগত লৈ
হাজাৰৰ সেনাপতিৰ ওচৰলৈ গৈ ক'লে, "আপোনাৰ আগত এই ডেকাৰ
কিবা কথা কবলৈ আছে বুলি বন্দীয়াৰ পৌলে মোক মাতি আপোনাৰ
ওচৰলৈ ইয়াক আনিবলৈ মিনতি কৰিলে৷" ১৯ হাজাৰৰ সেনাপতিয়ে
তাক হাতত ধৰি লৈ, এফলীয়া হৈ গুপুতে সুধিলে, "মোক ক'বলৈ
তোমাৰ কি কথা আছে?" ২০ ডেকাজনে ক'লে, "আপুনি পৌলৰ
বিষয়ে সুধি জানিব খোজাৰ নিচিনাকৈ, তেওঁক কালিলৈ মহাসভালৈ
যেন লৈ যাব, আপোনাৰ আগত এনে নিবেদন কৰিবলৈ ইহুদী সকলে
সিদ্ধান্ত কৰিছে৷ ২১ এতেকে আপুনি তেওঁলোকৰ কথা নুশুনিব, কাৰণ
তেওঁলোক চল্লিশ জনতকৈ অধিক মানুহে পৌলক বধ নকৰালৈকে

ভোজন-পান নকৰোঁ বুলি প্ৰতিজ্ঞা কৰিছে আৰু এই প্ৰতিজ্ঞাৰে নিজকে
বান্ধি খাপ দি আছে৷ আনকি তেওঁলোক সাঁজু হৈ আপোনাৰ অনুমতিলৈ
বাট চাই আছে৷" ২২ তেতিয়া হাজাৰৰ সেনাপতিয়ে সেই ডেকাক
বিদায় দিয়াৰ পূৰ্বে এই আদেশ দিলে, "তুমি যে এইবোৰ কথা মোৰ
আগত প্ৰকাশ কৰিলা, পুনৰ কাকো নকবা৷" ২৩ তেতিয়া তেওঁ এশৰ
সেনাপতি সকলৰ দুজনক ওচৰলৈ মাতি আনি আজ্ঞা দিলে, "ৰাতি ন
বজাত চীজাৰিয়া যাবলৈ দুশ জন সৈন্য, সত্তৰ জন অশ্বাৰোহী আৰু দুশ
বৰছা-ধাৰী সৈন্য যুগুত কৰা৷" ২৪ আৰু পৌলক নিৰাপদে ফীলিক্স
দেশাধিপতিৰ ওচৰলৈ বহুৱাই লৈ যোৱা বাহনো যুগুত কৰিবলৈ
তেওঁলোকক আজ্ঞা দিলে। ২৫ পাছত তেওঁ এইদৰে পত্ৰ লিখি দিলে,
২৬ "মহামহিম শ্ৰীযুক্ত ফীলিক্স দেশাধিপতিলৈ ক্লৌদিয় লুচিয়ৰ নমস্কাৰ৷
২৭ এই মানুহ জনক ইহুদী লোকে ধৰি বধ কৰিবলৈ উদ্যত হৈছে,
সেনাবোৰে সৈতে গৈ, এওঁ এজন ৰোমীয়া মানুহ বুলি জানি, মই এওঁক
উদ্ধাৰ কৰিলোঁ৷ ২৮ পাছত কি কাৰণে তেওঁলোকে এওঁক অপবাদ
দিছে, তাক জানিবৰ মনেৰে তেওঁলোকৰ মহাসভালৈ এওঁক নিয়াও
হৈছিল৷ ২৯ তাতে প্ৰাণদণ্ড বা কাৰাদণ্ডৰ বন্ধন পোৱাৰ যোগ্য এনে
কোনো অপবাদ দিয়া হোৱা নাই, কিন্তু তেওঁলোকৰ বিধানৰ ওপৰত
বাদ-বিচাৰ কৰি কোনো দোষ ধৰা যেনহে পালোঁ৷ ৩০ পাছত এওঁৰ
বিৰুদ্ধে কৰা চক্ৰান্তৰ কথা মোক জনোৱা হ'ল আৰু সেয়ে সিদ্ধ হোৱাৰ
আগন্তুক দেখি, মই তৎক্ষণাৎ এওঁক আপোনাৰ ওচৰলৈ পঠাই দিলোঁ
আৰু এওঁৰ গুচৰীয়া সকলকো আপোনাৰ আগত এওঁৰ বিৰুদ্ধে গোচৰ
কৰিবলৈ আজ্ঞা দিলোঁ৷ ইতি।" ৩১ পাছত সেনা সকলে আজ্ঞা অনুসাৰে
ৰাতিতে পৌলক তুলি, আন্তপাত্ৰি নগৰলৈ নিলে৷ ৩২ কিন্তু পাছদিনা
অশ্বাৰোহী সকলক তেওঁৰ লগত যাবলৈ দি দুৰ্গলৈ উলটি আহিল৷
৩৩ পাছত তেওঁলোকে চীজাৰিয়া পাই, দেশাধিপতিক পত্ৰ খন দি,
তেওঁৰ আগত পৌলকো হাজিৰ কৰালে৷ ৩৪ তেতিয়া তেওঁ সেই পত্ৰ
পঢ়ি পৌল কোন প্ৰদেশৰ বুলি সুধিলে; পাছে কিলিকিয়াৰ বুলি জানি,
৩৫ তেওঁ ক'লে, "তোমাৰ গুচৰীয়াবোৰ আহিলেহে মই তোমাৰ কথা

শুনিম৷” তেতিয়া তেওঁ হেৰোদৰ প্ৰিটৰিয়মত ৰাখিবলৈ তেওঁক আজ্ঞা
দিলে৷

**২৪** পাঁচ দিনৰ মূৰত, মহা-পুৰোহিত অননিয়ই কেইজনমান
পৰিচাৰক আৰু তৰ্ত্তুল্ল নামেৰে এজন উকীলে সৈতে আহি দেশাধিপতিৰ
আগত পৌলৰ বিৰুদ্ধে অভিযোগ দিলে। ২ তাৰ পাছত পৌল
দেশাধিপতিৰ আগত অাহি থিয় হ'ল, তৰ্ত্তুল্লই তেওঁক দোষাৰোপ
কৰিবলৈ ধৰিলে আৰু দেশাধিপতিক ক'লে, “হে মহামহিম ফীলিক্স,
আপোনাৰ দ্বাৰাই আমি মহাশান্তি ভোগ কৰিছোঁ আৰু আপোনাৰ
দুৰদৰ্শিতাই আমাৰ জাতিলৈ অনেক উন্নতি সাধন কৰিছে, ৩ সকলোৱে
ইয়াক সম্পূৰ্ণ কৃতজ্ঞতাৰে স্বীকাৰ কৰিছোঁ। ৪ গতিকে আপোনাৰ
অধিক সময় আমি যেন নলওঁ, এই কাৰণে নিবেদন কৰোঁ, আপুনি
অনুগ্ৰহ কৰি নম্ৰ হৈ আমাৰ অলপ কথা শুনক। ৫ কিয়নো আমি
দেখিবলৈ পালোঁ, যে এই মানুহটো মহামাৰী স্বৰূপ আৰু গোটেই জগত
নিবাসী ইহুদী সকলৰ মাজত ৰাজদ্ৰোহ কৰাওঁতা আৰু নাচৰতীয়া
সকলৰ দলৰ অগ্ৰণী৷ ৬ ইয়াৰ বাহিৰেও, ই মন্দিৰ অশুচি কৰিবলৈ
চেষ্টা কৰিছিল; সেই বাবে আমি তাক আটক কৰি ৰাখিলোঁ। ৭ কিন্তু
প্ৰধান সেনাপতি লুচিয় আহি বৰ বলেৰে আমাৰ হাতৰ পৰা পৌলক
কাঢ়ি আনিলে৷ ৮ আপুনি যেতিয়া সোধ-বিচাৰত পৌলক প্ৰশ্ন কৰিব,
তেতিয়া আমি যি যি অপবাদ এওঁক দিছোঁ, সেই বিষয়ে সকলো বুজিব
পাৰিব৷” ৯ তাতে ইহুদী সকলেও একেলগ হৈ পৌলক দোষাৰোপ
কৰিলে আৰু এইবোৰ কথা সঁচা বুলি ক'লে। ১০ পাছত দেশাধিপতিয়ে
পৌলক ক'বলৈ সঙ্কেত দিয়াত, পৌলে ক'বলৈ আৰম্ভ কৰিলে, “আপুনি
অনেক বছৰৰ পৰা এই জাতিৰ বিচাৰকৰ্তা হৈ আছে, ইয়াকে জানি মই
হৰ্ষিত মনেৰে নিজৰ পক্ষে উত্তৰ দিব খুজিছোঁ৷ ১১ কাৰণ অনুসন্ধান
কৰিলে আপুনি জানিব পাৰিব যে, মই ভজনা কৰিবলৈ যিৰূচালেমলৈ
যোৱা আজি বাৰ দিন মাথোন হৈছে; ১২ তাত এওঁলোকে মন্দিৰত বা
নাম-ঘৰত বা নগৰতেই হওক, কোনো ব্যক্তিৰ সৈতে মোক বাদ-
বিচাৰ বা লোক সকলক উচটাই উত্তেজিত কৰি অশান্তি সৃষ্টি কৰাও
কোনেও দেখা নাই; ১৩ আৰু এতিয়া যি যি অপবাদ মোক দিছে,

এই বিষয়ে একো প্ৰমাণ আপোনাৰ আগত দিব নোৱাৰে। ১৪ কিন্তু আপোনাৰ আগত মই ইয়াকে স্বীকাৰ কৰোঁ যে, বিধান-শাস্ত্ৰত লিখাৰ দৰে সকলো কথা পালন কৰি, এখেত সকলে যি পথক বিধৰ্ম বোলে, সেই পথ অনুসাৰে মই ওপৰ-পুৰুষ সকলৰ ঈশ্বৰৰ আৰাধনা কৰোঁ আৰু ভাববাদী সকলৰ পুস্তকত যি যি লিখা আছে, সেই সকলোকে বিশ্বাস কৰোঁ। ১৫ আৰু ধাৰ্মিক, অধাৰ্মিক, এই দুবিধ লোকৰ পুনৰুত্থান হ'ব বুলি এখেত সকলে যি আশাৰে বাট চাই আছে, ঈশ্বৰত ময়ো সেই আশা কৰোঁ। ১৬ এই কাৰণে ঈশ্বৰলৈ আৰু মানুহলৈ নিৰ্ব্বিঘ্নে বিবেক ৰক্ষা কৰিবলৈ ময়ো সদায় যত্ন কৰি আছোঁ। ১৭ এতিয়া কিছু বছৰৰ মূৰত মই নিজৰ জাতিৰ মানুহক দান আনি দিবৰ বাবে আৰু নৈবেদ্য উৎসৰ্গ কৰিবলৈ আহিছিলো। ১৮ এতিয়া সেই কাৰ্যতেই এচিয়াৰ কিছুমান ইহুদী লোকেহে মোক যিৰূচালেম মন্দিৰত শুচিকৃত উৎসৱত পালে; মোৰ লগত আন কোনো ব্যক্তিও নাই, কিন্তু এখেত সকলেহে হুৰামুৰা লগালে। ১৯ ইয়াৰ উপৰি মোৰ অহিতে যদি এখেত সকলৰ কোনো কথা আছিল, তেনেহলে আপোনাৰ ওচৰত ব্যক্তি সমূহে নিজে আহি গোচৰ দিব লাগিছিল। ২০ নতুবা, মই মহাসভাৰ আগত থিয় হৈ থাকোঁতে, এই একেই লোক সমূহে মোৰ কি দোষ পালে, সেই বিষয়ে এখেত সকলে নিজেই কোৱা উচিত আছিল; ২১ নহলে এতিয়া যি বিষয়ৰ কথা মই আপোনালোকৰ আগত চিঞৰি কৈছোঁ, তেনেদৰে, 'মৃতসকলৰ পুনৰুত্থান'ৰ বিষয়ে আজি আপোনালোকৰ আগত মোৰ সোধ-বিচাৰ হৈছে৷" ২২ ফীলিক্সে সেই পথৰ বিষয়ে ভালকৈ জনা বাবে, সোধ-বিচাৰ স্থগিত ৰাখি তেওঁলোকক ক'লে, "লুচিয় হাজাৰৰ সেনাপতি যিৰূচালেমৰ পৰা আহিলে আপোনালোকৰ কথা সম্পূৰ্ণকৈ জানিব পাৰিম।" ২৩ পাছত পৌলক পহৰা দিবলৈ, কিন্তু মৰমেৰে আৰু সেৱা কৰিবলৈ অহা তেওঁৰ আত্মীয় সকলক নিষেধ নকৰিবলৈ তেওঁ এশৰ সেনাপতিক আজ্ঞা দিলে৷ ২৪ কিছুদিনৰ পাছত ফীলিক্সে, দ্ৰুচিলা নামৰ তেওঁৰ ইহুদী ভাৰ্যাৰ সৈতে আহি, পৌলক মতাই আনি, খ্ৰীষ্ট যীচুত যি বিশ্বাস, সেই বিষয়ে তেওঁৰ পৰা শুনিলে। ২৫ তেওঁ ধাৰ্মিকতা, ইন্দ্ৰিয়-দমন, আৰু ভবিষ্যত সোধ-বিচাৰৰ বিষয়ে যুক্তি

দেখুৱাওঁতে, ফীলিক্সে ত্ৰাসযুক্ত হৈ উত্তৰ দিলে; “এতিয়া সম্প্ৰতি যোৱা; মই আজৰি পালে পাছত তোমাক মতাই আনিম।” ২৬ আৰু পৌলে তেওঁক ধন দিব বুলি তেওঁ আশা কৰি, ঘনে ঘনে তেওঁক মতাই কথোপকথন কৰিলে। ২৭ কিন্তু দুবছৰৰ মূৰত পৰ্কিয় ফীষ্টে ফীলিক্সৰ পদ পালে, তাতে ফীলিক্সে ইহুদী সকলৰ প্ৰিয়পাত্ৰ হবলৈ ইচ্ছা কৰি, তেওঁ পৌলক ৰখীয়াৰ অধীনত থৈ গ’ল৷

**২৫** ফীষ্ট সেই প্ৰদেশলৈ আহি, তিন দিনৰ পাছত চীজাৰিয়াৰ পৰা যিৰূচালেমলৈ গ’ল। ২ তাতে প্ৰধান পুৰোহিত সকলে আৰু ইহুদী সকলৰ প্ৰধান লোকে তেওঁৰ আগত পৌলৰ বিৰুদ্ধে দৃঢ়ভাৱে জনালে৷ ৩ এনে উদ্দেশ্যেৰে ফীষ্টক অনুগ্ৰহ যাচনা কৰি নিবেদন কৰিলে, যাতে তেওঁ মানুহ পঠাই পৌলক যিৰূচালেমলৈ লৈ আহে, আৰু তেওঁলোকে যেন বাটতে খাপ দি পৌলক বধ কৰিব পাৰে, সেই বিষয়ে পৰিকল্পনা কৰিব ধৰিলে। ৪ কিন্তু ফীষ্ট তেওঁলোকক উত্তৰ দিলে, যে পৌলক চীজাৰিয়াত বন্দী কৰি ৰখা হৈছে আৰু সেয়েহে সোনকালে তেওঁ নিজে তালৈকে যাব। ৫ গতিকে, তেওঁ ক’লে, “যদি সেই মানুহৰ কোনো দোষ আছে, তেনেহলে তোমালোকৰ মাজৰ কেইজনমান শক্তিমন্ত লোকে মোৰে সৈতে গৈ, তেওঁৰ ওপৰত গোচৰ কৰক৷” ৬ পাছত তাত আঠ দহ দিনতকৈ বেচি দিন নাথাকি, তেওঁ চীজাৰিয়ালৈ গুচি গ’ল৷ পাছদিনা তেওঁ বিচাৰৰ আসনত বহি, পৌলক আনিবলৈ আজ্ঞা দিলে। ৭ পাছত তেওঁ উপস্থিত হোৱাত যিৰূচালেমৰ পৰা অহা ইহুদী সকলে তেওঁৰ চাৰিওফালে থিয় হৈ, তেওঁক অনেক বিষয়ত গুৰুতৰ দোষ দিব ধৰিলে, কিন্তু তেওঁলোকে একো প্ৰমাণ দেখুৱাব নোৱাৰিলে। ৮ তেতিয়া পৌলে নিজৰ পক্ষে উত্তৰ দি ক’ব ধৰিলে, “ইহুদী সকলৰ বিধানৰ, বা মন্দিৰৰ, বা চীজাৰৰ বিৰুদ্ধ মই একো পাপ কৰা নাই।” ৯ কিন্তু ফীষ্টে ইহুদীসকলৰ প্ৰিয়পাত্ৰ হোৱাৰ ইচ্ছা কৰিলে। তেওঁ উত্তৰ দি পৌলক ক’লে, “তুমি যিৰূচালেমলৈ গৈ, তাতে মোৰ আগত এইবোৰৰ বিষয়ে, তোমাৰ সোধ-বিচাৰ হবলৈ ইচ্ছা কৰা নে?” ১০ পৌলে ক’লে, “মই চীজাৰৰ বিচাৰৰ আসনৰ আগত থিয় হৈ আছোঁ; ইয়াতে মোৰ সোধ-বিচাৰ হোৱা উচিত। মই

যে ইহুদীসকলৰ একো অন্যায় কৰা নাই, ইয়াক আপুনিও ভালদৰে জানি আছে। ১১ এতেকে মই যদি অন্যায়কাৰী হৈছোঁ, বা প্ৰাণদণ্ডৰ যোগ্য কোনো কৰ্ম কৰিলোঁ, তেনেহলে মৰিবলৈকো অমান্তি নহওঁ। কিন্তু তেখেতসকলে মোক যিবোৰ অপবাদ দিছে, সেইবোৰ যদি সঁচা নহয়, তেনেহলে তেখেত সকলৰ হাতত মোক শোধাই দিবলৈ কাৰো শক্তি নাই। মই চীজাৰক আপীল কৰোঁ।" ১২ তেতিয়া ফীষ্টে মন্ত্ৰী সকলৰ সৈতে পৰামৰ্শ কৰি পৌলক ক'লে, "তুমি চীজাৰত আপীল কৰিলা; এতিয়া তোমাক চীজাৰৰ আগলৈ লৈ যোৱা হ'ব৷" ১৩ কিছুদিনৰ পাছত ৰজা আগ্ৰিপ্প আৰু বৰ্ণীকী চীজাৰিয়ালৈ আহি ফীষ্টক মঙ্গলবাদ কৰিলে। ১৪ তেওঁ তাত বহু দিন থকাত, ফীষ্টে ৰজাৰ আগত পৌলৰ বিষয়ে জনালে; তেওঁ ক'লে, "ফীলিক্সে বন্দী কৰি ৰখা এজন বন্দীয়াৰ ইয়াত আছে। ১৫ যেতিয়া মই যিৰূচালেমত আছিলোঁ, তেতিয়া ইহুদী সকলৰ প্ৰধান পুৰোহিত আৰু পৰিচাৰক সকলে তেওঁৰ বিষয়ে মোক জনাই, বিচাৰ আৰু দণ্ডাজ্ঞা যাচনা কৰিছিল। ১৬ তেতিয়া মই তেওঁলোকক উত্তৰ দিলোঁ, যি জনৰ নামত অভিযোগ দিয়া হৈছে, তেওঁ যেতিয়ালৈকে অভিযোগকাৰীৰ সন্মুখত আত্মপক্ষ সমৰ্থন কৰিবলৈ নোৱাৰে, তেতিয়ালৈকে তেওঁক কোনো লোকৰ হাতত শোধাই দিয়া ৰোমীয়া লোকৰ নিয়ম নাই। ১৭ তেতিয়া তেখেতসকলে আহি ইয়াতে গোট খোৱাত, অলপো পলম নকৰি, পাছ দিনাই মই বিচাৰৰ আসনত বহিলোঁ, আৰু বন্দী কৰি ৰাখি থোৱা মানুহ জনক আনিবলৈ আজ্ঞা দিলোঁ। ১৮ পাছত গুচৰীয়াবোৰে তেওঁৰ চাৰিওফালে থিয় হৈ, যি দুষ্কৰ্মৰ অপবাদ তেখেত সকলে দিব বুলি মই ভাবিছিলো, এনে একো অপবাদ নিদিলে৷ ১৯ কিন্তু তেখেত সকলে নিজৰ ধৰ্মৰ বিষয়ে আৰু পৌলে যি জনক জীয়াই উঠা বুলি কৈছিল, এনে যীচু নামৰ কোনো মৃত এজনৰ বিষয়কলৈহে তেখেত সকলৰ মত-পাৰ্থক্য আছিল। ২০ তাতে এনেকুৱা বাদ-বিচাৰৰ বিষয়বোৰত সংশয় কৰি মই তেওঁক সুধিলো, তুমি যিৰূচালেমলৈ গৈ, এইবোৰৰ বিষয়ে তোমাৰ সোধ-বিচাৰ হবলৈ মন কৰা নে? ২১ কিন্তু পৌলে ৰাজাধিৰাজৰ ওচৰত সোধ-বিচাৰৰ পৰা নিস্পত্তি পাবৰ বাবে ৰক্ষিত থাকিবলৈ আপীল কৰাত, মই

চীজাৰিয়ালৈ নপঠিওঁৱালৈকে, তেওঁক ৰাখিবলৈ আজ্ঞা দিলোঁ।” ২২
তেতিয়া আগ্রিপ্পই ফীষ্টক ক’লে, “সেই মানুহ জনৰ কথা শুনিবলৈ মোৰ
মন গৈছে৷” ফীষ্টে ক’লে, “কালিলৈ তেওঁৰ কথা শুনিবলৈ পাবা৷” ২৩
পাছদিনা আগ্রিপ্প আৰু বৰ্ণীকী বৰ প্ৰতাপেৰে আহি, হাজাৰৰ সেনাপতি
সকলক আৰু নগৰৰ মানুহবোৰৰ সৈতে ৰাজদৰবাৰত সোমাল আৰু
ফীষ্টৰ আজ্ঞাৰে পৌলক তেওঁলোকৰ আগলৈ নিয়া হ’ল। ২৪ তেতিয়া
ফীষ্টে ক’লে, “হে ৰজা আগ্রিপ্প আৰু আমাৰ সৈতে ইয়াত উপস্থিত থকা
লোক সমূহ৷ আপোনালোকে এই মানুহ জনক যে দেখিছে, এই জনেই
সেই ব্যক্তি; যি জনৰ বিষয়ে যিৰূচালেমৰ আৰু ইয়াত থকা ইহুদী
লোক সকলেও মোৰ আগত আবেদন কৰি আটাহ পাৰি কৈছিল, ই
আৰু জীয়াই থকা উচিত নহয়। ২৫ কিন্তু মই জানিব পাৰিলোঁ, এওঁ
প্ৰাণদণ্ডৰ যোগ্য একো কৰা নাই; আৰু এওঁ নিজে ৰাজাধিৰাজৰ ওচৰত
আপীল কৰাৰ বাবে মই পঠাবলৈ নিশ্চয় কৰিলোঁ৷ ২৬ কিন্তু আমাৰ
ৰাজাধিৰাজলৈ ইয়াৰ বিষয়ে লিখিবলৈ একো নিশ্চয়তা নাপালোঁ। এই
কাৰণে এওঁক আপোনালোকৰ আগলৈ আনিলো৷ এতেকে সোধ-বিচাৰ
কৰাৰ পাছত, মই যাতে লিখিবৰ বাবে কোনো কথা পাওঁ, হে আগ্রিপ্প
ৰজা, সেয়েহে বিশেষকৈ আপোনাৰ আগলৈ ইয়াক আনিলো। ২৭
কিয়নো কোনো বন্দীয়াৰক পঠাওঁতে, তেওঁৰ অহিতে দিয়া অপবাদ
নজনোৱাতো, মই অযুক্তিকৰ যেন দেখো।”

**২৬** যেতিয়া আগ্রিপ্পই পৌলক নিজৰ পক্ষত কথা কবলৈ অনুমতি
দিলে, তেতিয়া পৌলে হাত মেলি নিজৰ পক্ষে উত্তৰ দিব ধৰিলে। ২
তেওঁ ক’লে, “হে ৰজা আগ্রিপ্প, ইহুদী সকলে মোৰ বিষয়ে যি অভিযোগ
দিছে; সেই বিষয়ে আজি আপোনাৰ সন্মুখত আত্মপক্ষ সমৰ্থন কৰিবলৈ
পাই নিজকে মই ধন্য মানিছো৷ ৩ ইহুদী সকলৰ মাজত বিশেষকৈ
যিবোৰ নীতি-নিয়ম আৰু বাদ-বিচাৰ আছে, সেই সকলোবোৰৰ বিষয়ে
আপোনাৰ জ্ঞান আছে; সেই বাবেই বিনয় কৰোঁ আপুনি যেন ধৈৰ্য ধৰি
মোৰ কথাবোৰ শুনে৷ ৪ মোৰ জীৱন-যাপনৰ বিষয়ে ডেকা কালৰে
পৰা নিজ জাতিৰ লোক সকলে আৰু যিৰূচালেমত থকা সকলো ইহুদী
লোকে জানে৷ ৫ ইয়াৰ উপৰি তেখেত সকলে ইয়াকো জানে যে, মই

ফৰীচী হৈয়ো কিদৰে আমাৰ ধৰ্মৰ সকলো কঠিন নিয়মবোৰ পালন
কৰি প্ৰকৃত ফৰীচী এজনৰ দৰেই জীৱন-যাপন কৰিছিলোঁ৷ এই বিষয়ে
তেখেত সকলে সাক্ষীও দিব পাৰে৷ ৬ ঈশ্বৰে আমাৰ পূৰ্বপুৰুষ সকলৰ
আগত যি প্ৰতিজ্ঞা কৰিছিল, সেইবোৰ পূৰ্ণ হোৱাৰ বাবেহে মই এতিয়া
সোধ-বিচাৰত পৰি, থিয় হৈ আছোঁ। ৭ সেই প্ৰতিজ্ঞাৰ ফল পাবলৈ
আমাৰ বাৰটা জাতিয়ে, ৰাতিয়ে-দিনে উৎসাহেৰে আৰাধনা কৰি,
আশা কৰি আছে। সেই আশাৰ কাৰণে, হে মহাৰাজ, ইহুদী সকলে
মোক অপবাদ দিছে। ৮ ঈশ্বৰে যদি মৃত লোকক পুনৰুত্থিত কৰে
তেনেহলে আপোনালোকে কিয় অবিশ্বাস বোধ কৰিছে? ৯ মই
সেইদৰে নাচৰতীয়া যীচুৰ নামৰ বিৰুদ্ধে অনেক বিপৰীত আচৰণ
কৰিব লাগে বুলি নিজে ভাবিছিলোঁ, ১০ আৰু সেইদৰেই যিৰূচালেমত
কৰিছিলোঁ৷ প্ৰধান পুৰোহিতৰ পৰা অধিকাৰ পাই, অনেক পবিত্ৰ
লোকক বন্দীশালত থৈছিলোঁ আৰু তেখেত সকলক বধ কৰাৰ সময়ত,
মই নিজে সন্মতিও প্ৰকাশ কৰিছিলোঁ৷ ১১ এনেদৰে মই তেখেত
সকলক শাস্তি দি যীচু খ্ৰীষ্টৰ নিন্দা কৰিবলৈ জোৰ কৰিছিলোঁ৷ তেখেত
সকলৰ বিৰুদ্ধে ক্ষোভ ইমানেই তীব্ৰ হৈ উঠিছিল যে, তেখেত সকলক
তাড়না কৰিবৰ বাবে মই বিদেশৰ চহৰ সমূহলৈকো যাত্ৰা কৰিছিলোঁ৷
১২ এইদৰে প্ৰধান পুৰোহিতৰ সকলৰ পৰা অধিকাৰ আৰু আজ্ঞা-পত্ৰ
পোৱাৰ পাছত, দম্মেচক নগৰলৈ যাত্ৰা কৰোঁতে, ১৩ হে মহাৰাজ,
দুপৰীয়া বাটৰ মাজত সূৰ্যৰ ৰশ্মিতকৈয়ো দীপ্তিমান এটি পোহৰ
আকাশৰ পৰা আহি মোৰ আৰু মোৰ লগত যাত্ৰা কৰি থকা লোক
সকলৰ চাৰিওফালে প্ৰকাশিত হ'ল৷ ১৪ তেতিয়া আমি সকলোৱে
মাটিত বাগৰি পৰিলো আৰু এনেতে মই ইব্ৰী ভাষাৰে কোৱা এটি বাণী
শুনিলোঁ, 'হে চৌল, হে চৌল, মোক কিয় তাড়না কৰিছা? জোঙত
লাথি মৰা তোমালৈ টান'; ১৫ তেতিয়া মই সুধিলো, 'হে প্ৰভু, আপুনি
কোন?' তেতিয়া প্ৰভুৱে ক'লে, 'যি জনক তুমি তাড়না কৰিছা, মই
সেই যীচু৷ ১৬ এতিয়া উঠা, তোমাৰ ভৰিত ভৰ দি থিয় হোৱা; কিয়নো,
তুমি যি দৰ্শনত মোক দেখা পালা আৰু ইয়াৰ পাছত এই মানুহবোৰৰ
আৰু অনা-ইহুদী সকলৰ হাতৰ পৰা তোমাক উদ্ধাৰ কৰি যি দৰ্শনত

মই তোমাক দেখা দিম, সেই সকলো বিষয়ৰ প্ৰচাৰক আৰু সাক্ষী
হ'বৰ বাবে তোমাক দাস ৰূপে মনোনীত কৰিবলৈ মই দৰ্শন দিলোঁ;
১৭ আৰু অনা-ইহুদী সকলে যেন মোক বিশ্বাস কৰাৰ দ্বাৰাই পাপ-
মোচন আৰু পবিত্ৰীকৃত হোৱা লোক সকলৰ মাজত ভাগ পায়, ১৮
এই মনোভাৱেৰে তেওঁলোকৰ চকু মুকলি হ'বলৈআৰু অন্ধকাৰৰ
পৰা পোহৰলৈ, চয়তানৰ ক্ষমতাৰ অধীনৰ পৰা ঈশ্বৰলৈ ঘূৰিবৰ
কাৰণে, তেওঁলোকৰ ওচৰলৈ মই তোমাক নিযুক্ত কৰি পঠাওঁ, তাতে
তেওঁলোকে ঈশ্বৰৰ পৰা পাপৰ ক্ষমা যেন পায় আৰু মোক বিশ্বাস
কৰাৰ যোগেদি মই যেন তেওঁলোকক এই ভাগ দিব পাৰোঁ।'" ১৯
পৌলে এনেদৰে পুনৰ ক'বলৈ ধৰিলে, "হে ৰজা আগ্ৰিপ্প, মই সেই
স্বৰ্গীয় দৰ্শনক অমান্য নকৰি, ২০ দম্মেচক আৰু যিৰূচালেমত থকা
লোক সকলৰ আগত, পাছত যিহুদীয়া আৰু তাৰ সকলো অঞ্চলৰ
লগতে অনা-ইহুদী সকলৰ আগতো মই প্ৰচাৰ কৰিলোঁ, যাতে তেখেত
সকলে মন-পালটাই ঈশ্বৰলৈ ঘূৰে আৰু মন-পালটনৰ যোগ্য আচৰণ
ঈশ্বৰৰ সাক্ষাতে কৰে৷ ২১ সেই কাৰণে ইহুদী সকলে মন্দিৰত মোক
ধৰি বধ কৰিবলৈ চেষ্টা কৰিছিল। ২২ এনেতে ঈশ্বৰৰ পৰা উপকাৰ
পাই, আজিলৈ থিৰে আছোঁ আৰু সকলোৰে সন্মুখত সাক্ষ্য দিছোঁ৷ সেই
মহান জনাৰ বিষয়ে ক'বলৈ যাওতে ভাববাদী সকলে আৰু মোচিয়ে যি
যি ঘটিব বুলি কৈছিল, সেই বিষয়ৰ বাহিৰে আন একো কথা কোৱা
নাই; ২৩ আৰু খ্ৰীষ্ট দুখভোগৰ পাত্ৰ হয় বা নহয় আৰু মৃত লোকৰ
পুনৰুত্থানত প্ৰথম হৈ নিজ জাতি আৰু অনা-ইহুদী সকললৈ পোহৰ
প্ৰকাশ কৰিব বা নকৰিব, ইয়াৰ বিষয়েহে মই সৰু বৰ সকলোৰে
আগত ক'লো৷" ২৪ তেওঁ এইদৰে নিজৰ পক্ষে উত্তৰ দিওঁতে, ফীষ্টে বৰ
মাতেৰে ক'লে, "হে পৌল, তুমি বলীয়া হৈছা; সৰহ বিদ্যাই তোমাক
বলীয়া কৰিছে৷" ২৫ কিন্তু পৌলে ক'লে, "হে মহামহিম ফীষ্ট, মই
বলীয়া হোৱা নাই; সত্য আৰু সুবোধৰ কথাহে কৈছোঁ৷ কিয়নো ৰজায়ো
এই বিষয়ে জানে; এই কাৰণেহে মই তেওঁৰ আগত সাহসেৰে কৈছোঁ৷
২৬ কিয়নো ৰজায়ো এই বিষয়ে জানে; এই কাৰণেহে মই তেওঁৰ
আগত সাহসেৰে কৈছোঁ৷ মই সুনিশ্চিত যে, এই বিষয়বোৰ প্ৰকাশ্যৰূপে

ঘটিছে৷ এইবোৰ লুকুৱাই ৰাখিব নোৱাৰি কাৰণ ইয়াক গোপনে কৰা
হোৱা নাই৷ ২৭ হে ৰজা আগ্রিপ্প, আপুনি ভাববাদী সকলৰ কথা বিশ্বাস
কৰে নে? মই জানো আপুনি বিশ্বাস কৰে৷” ২৮ তেতিয়া আগ্রিপ্পই
পৌলক ক’লে, “তুমি মোক খ্রীষ্টিয়ান কৰিবলৈ অলপ কথাৰেই মোৰ
প্রবৃত্তি জন্মাব খুজিছা৷” ২৯ কিন্তু পৌলে ক’লে, “অকল আপুনিয়েই
নহয়, যি সকলে আজি মোৰ কথা শুনিছে, সেই সকলোৱে অলপ
কথাৰে হওক, বা বহু কথাৰে হওক, এই শিকলিৰ বন্ধনৰ বাহিৰে,
সকলোভাৱে যেন মোৰ নিচিনা হয়, ঈশ্বৰৰ আগত এই প্রার্থনা মই
কৰিছোঁ৷” ৩০ তেতিয়া ৰজা, দেশাধিপতি, বর্ণীকী আৰু তেওঁলোকৰ
সৈতে বহা লোক সকলে উঠি, ৩১ আতৰ হৈ গৈ পৰস্পৰে কথা-বার্ত্তা
কৰি ক’লে, “এই মানুহ জনে বন্ধন বা প্রাণদণ্ডৰ যোগ্য একো কর্ম কৰা
নাই৷” ৩২ তেতিয়া আগ্রিপ্পই ফীষ্টক কলে, “এই মানুহ জনে চীজাৰৰ
ওচৰত আপীল নকৰা হ’লে মুকলি হব পাৰিলেহেঁতেন৷”

**২৭** পাছত যেতিয়া আমাৰ ইটালী দেশলৈ জাহাজেৰে যোৱাৰ কথা
নিশ্চিত হ’ল, তেওঁলোকে পৌল আৰু অন্য কিছুমান কাৰাবন্দীক
ৰাজাধিৰাজৰ সৈন্য দলৰ যুলিয় নামৰ এজন এশৰ সেনাপতিৰ হাতত
শোধাই দিলে৷ ২ আদ্রামুত্তিয়ৰ পৰা আহি থকা এখন জাহাজত আমি
উঠিলো৷ এই জাহাজ খন এচিয়া দেশৰ সমুদ্র-পথৰ উপকূলৰ কাষে
কাষে যাত্রা কৰাৰ কথা আছিল৷ তাতে আমাৰ লগত থিচলনীকী নগৰৰ
মাকিদনিয়াৰ আৰিষ্টার্খ আছিল৷ ৩ পাছদিনা আমি চীদোন নগৰৰ
পাৰত নামিলো৷ ৪ তাতে যুলিয়ই পৌলক দয়াৰে গণ্য কৰি বন্ধু-বান্ধৱ
সকলৰ ওচৰলৈ গৈ প্ৰাণ জুৰাই আহিবলৈ দিলে৷ সেই ঠাইৰ পৰা
আমি জলযাত্রা কৰি যাওঁতে সন্মুখত বতাহ পালোঁ, সেই বাবে কুপ্ৰ
দ্বীপৰ কাষেদি যাবলৈ ললোঁ৷ ৫ পাছত কিলিকিয়াৰ আৰু পাম্ফুলিয়াৰ
সন্মুখত থকা সাগৰ পাৰ হৈ, লুকিয়া দেশৰ ‘মুৰা নগৰ’ পালোঁ৷ ৬ সেই
ঠাইতে এশৰ সেনাপতিয়ে, ইটালী দেশলৈ যোৱা আলেকজেন্দ্রিয়া
নগৰৰ এখন জাহাজ লগ পোৱাত, আমাক তাতে তুলি দিলে৷ ৭
এনেদৰে বহু দিন লাহে লাহে গৈ, কোনো প্রকাৰে ক্লীদৰ ওচৰ পালোঁ,
তাতে বতাহে আমাক বাধা দিয়াত আগুৱাই যাব নোৱাৰি, ক্রীতী

দ্বীপৰ সুৰক্ষিত এলেকাৰ কাষে কাষে চল্‌মোনীৰ সন্মুখেদি আহি, ৮ কোনো প্ৰকাৰে সুন্দৰ ঘুলি নামেৰে এখন ঠাই পালোঁ; এই ঠাইৰ ওচৰত লাচেয়া নগৰ আছিল৷ ৯ এইদৰে বহু সময় নষ্ট হ'ল আৰু আমাৰ সমুদ্ৰ-যাত্ৰাও অতি বিপদজ্জনক হৈ উঠিছিল; ইয়াৰ উপৰি আমাৰ উপবাস পৰ্বৰ দিনো পাৰ হৈ গ'ল, সেয়েহে পৌলে তেওঁলোকক পৰামৰ্শ দিব ধৰিলে; ১০ তেওঁ ক'লে যে, "হে লোকসকল, মই দেখিছোঁ যে এই যাত্ৰাত আমাৰ বিপদ আৰু বহু ক্ষতি হব; ইয়াত আমাৰ অকল সামগ্ৰী আৰু জাহাজৰে নহয়; আনকি আমাৰ প্ৰাণো সংকটত পৰিব৷" ১১ কিন্তু এশৰ সেনাপতিয়ে পৌলে কোৱা কথাতকৈ জাহাজৰ পথ নিৰ্মাণ কৰা লোক জনৰ আৰু জাহাজৰ গৰাকীৰ কথাতহে বেছি গুৰুত্ব দিলে৷ ১২ সেই বন্দৰটো শীতকালত থাকিবৰ বাবে বেছি সুবিধাজনক নোহোৱাত, দক্ষিণ-পশ্চিম আৰু উত্তৰ-পশ্চিম দিশে থকা ক্ৰীতীৰ ফৈনীক বন্দৰ যদি কোনো প্ৰকাৰে পাব পাৰে, তাতে শীত কালৰ সময়খিনি থাকিবৰ আশাৰে বেছি ভাগ নাবিকে তালৈ যাবলৈ ওলোৱা বিষয়টোত মত দিলে৷ ১৩ পাছত দক্ষিণৰ বতাহ অলপ বলিবলৈ ধৰাত, তেওঁলোকৰ অভিপ্ৰায় সিদ্ধ হোৱা বুলি ভাবি, জাহাজ মেলি ক্ৰীতীৰ ওচৰেদি যাবলৈ ধৰিলে৷ ১৪ কিন্তু অলপ সময়ৰ পাছতে উৰাকুলো নামৰ বৰ ধুমুহা বতাহ দ্বীপটোৰ ইমূৰৰ পৰা সিমূৰলৈ বলিব ধৰিলে; ১৫ তেতিয়া আমাৰ জাহাজ খন সেই ধুমুহাৰ মাজত সোমাই পৰিল৷ বাধা নেউচি আগবাঢ়িব নোৱাৰাত বতাহৰ গতিত চলি যাবৰ বাবে জাহাজ খনত পাল তৰি দিয়া হ'ল; তেতিয়া বতাহৰ বলতে জাহাজ খন চলি যাব ধৰিলে৷ ১৬ এনেদৰে আমি কৌদা নামেৰে এটা সৰু দ্বীপৰ আঁৰে আঁৰে গৈ থাকিলো; তাতে কোনো প্ৰকাৰে জাহাজৰ লগত থকা সৰু নাও খন তুলি লবলৈ সক্ষম হ'ল৷ ১৭ তাৰ পাছত নাও খন তুলি লৈ, তাত থকা ৰছী ব্যৱহাৰ কৰি কোনো প্ৰকাৰেৰে জাহাজ খন তলেদি মেৰাই বান্ধিলে; কিন্তু চুৰ্ত্তি নামৰ বালিৰ বাধাটোত জাহাজ খন লাগিব বুলি ভাবি ভয় খালে আৰু পাল নমাই দি, আগবাঢ়ি যাব ধৰিলে৷ ১৮ তাতে ধুমুহাৰ প্ৰকোপ বাঢ়ি যোৱাত জাহাজ খন বেয়াকৈ ঢলং-পলং কৰিবলৈ ধৰাত, পাছদিনা তেওঁলোকে জাহাজ

খনৰ পৰা কিছুমান সামগ্ৰী পেলাবলৈ ধৰিলে৷ ১৯ তিনি দিনৰ দিনা
তেওঁলোকে নিজ হাতে জাহাজৰ সঁজুলিবোৰ পেলাই দিলে৷ ২০ ধুমুহাৰ
প্ৰকোপ ক্ৰমে বাঢ়ি থকাত আৰু কেইবাদিনলৈ সূৰ্য, তৰাও নোলোৱাকৈ
থকাত আমাৰ প্ৰাণৰক্ষাৰ সকলো আশা নোহোৱা হৈছিল৷ ২১ তাতে
তেওঁলোকে কেইবাদিনো লঘোনে থকাত, পৌলে তেওঁলোকৰ মাজত
থিয় হৈ ক'লে, "হে লোকসকল, আপোনালোকৰ এই বিপদ আৰু
ক্ষতি নহলেহেতেন যদি মোৰ কথা শুনি ক্ৰীতীৰ পৰা জাহাজ এৰি
নিদিলেহেঁতেন৷ ২২ কিন্তু এতিয়াও মই আপোনালোকক উৎসাহ
দিওঁ, অাপোনালোকে সাহস কৰক; কিয়নো আপোনালোকৰ মাজৰ
কোনো জীৱৰে প্ৰাণ হানি নহব, মাত্ৰ জাহাজ খনৰহে ক্ষতি হ'ব৷
২৩ কিয়নো মই যি জন ঈশ্বৰৰ লোক আৰু যি জনৰ মই আৰাধনা
কৰোঁ; তেওঁৰ দূতে যোৱাৰাতি মোৰ ওচৰত দেখা দিলে; ২৪ আৰু
থিয় হৈ ক'লে 'হে পৌল, তুমি ভয় নকৰিবা৷ চীজাৰৰ আগত তুমি থিয়
হ'ব লাগিব আৰু চোৱা, তোমাৰ লগত যোৱা সকলো মানুহক ঈশ্বৰে
অনুগ্ৰহ কৰি তোমাক দিলে৷' ২৫ এই কাৰণে, হে মোৰ প্ৰিয় সকল,
আপোনালোকে সাহস কৰক; কিয়নো মোক যেনেকৈ ক'লে, তেনেকৈ
নিশ্চয় ঘটিব৷ ঈশ্বৰত মোৰ এনে বিশ্বাস আছে৷ ২৬ কিন্তু আমি কোনো
এটা দ্বীপত উঠিব লাগিব৷" ২৭ এনেদৰে ধুমুহাৰ মাজত ইফাল-সিফাল
কৰি আন্দ্ৰিয়া সমুদ্ৰত প্ৰায় চৌদ্ধ ৰাতি পাৰ হৈ যোৱাত, মাজনিশা
জাহাজৰ খালাচী সকলে বামৰ ওচৰ পালেহি বুলি ভাবিলে৷ ২৮ তাতে
তেওঁলোকে পানী জোখোতে প্ৰায় এক শ বিশ ফুট পালে আৰু অলপ
সময়ৰ পাছত আকৌ জোখাত নব্বৈ ফুট পালে৷ ২৯ কোনো শিলাময়
ঠাইত লাগিব বুলি ভয় কৰি, জাহাজৰ পাছফালে লঙ্গৰ পেলালে আৰু
ৰাতিপুৱাবৰ বাবে প্ৰাৰ্থনাৰে বাট চাই থাকিল৷ ৩০ নাৱৰীয়া সকলে
জাহাজ খনৰ আগফালে লঙ্গৰ পেলোৱাৰ ছলেৰে সাগৰত নাও খন
নমাই পলোৱাৰ উপায় কৰি থাকোতে, ৩১ পৌলে এশৰ সেনাপতি
আৰু সেনাবোৰক ক'লে, "যদিহে এইবোৰ মানুহ জাহাজত নাথাকে
তেনেহলে আপোনালোকেও নিজৰ প্ৰাণ ৰক্ষা কৰিব নোৱাৰিব৷" ৩২
তেতিয়া পলাবলৈ খোজা লোকসকলে নাৱৰ লেজু কাতি তাক পানীত

উটি যাবলৈ দিলে৷ ৩৩ পাছত ৰাতিপুৱাৰ সময়ত, পৌলে সকলোকে আহাৰ কৰিবলৈ অনুৰোধ কৰিলে৷ তেওঁ ক'লে, "আজি চৌদ্ধ দিন আপোনালোকে বাট চাই একো নোখোৱাকৈ অনাহাৰে আছে, ৩৪ সেই বাবে আপোনালোকক মিনতি কৰিছোঁ, আপোনালোকে যেন অলপ আহাৰ গ্ৰহণ কৰে, কিয়নো সেয়ে আপোনালোকৰ জীয়াই থকাত উপকাৰ স্বৰূপ হব; কাৰণ আপোনালোকৰ কোনোজনৰে মূৰৰ এডাল চুলিও নষ্ট নহ'ব৷" ৩৫ ইয়াকে কৈ তেওঁ পিঠা লৈ, সকলোৰে আগত ঈশ্বৰৰ স্তুতি কৰি পিঠাটো ভাঙি ভোজন কৰিলে৷ ৩৬ তেতিয়া সকলোৱে উৎসাহিত হৈ নিজ নিজ আহাৰ গ্ৰহন কৰিলে৷ ৩৭ জাহাজত আমি দুই শ ছয়সওৰ জন লোক আছিলোঁ৷ ৩৮ সকলোৱে আহাৰ কৰি তৃপ্ত হোৱাত, তেওঁলোকে জাহাজ খনৰ ওজন কমাবলৈ ঘেহুঁবোৰ সাগৰত দলিয়াই দিলে৷ ৩৯ পাছত যেতিয়া দিন হ'ল, তেতিয়াও তেওঁলোকে সেই অঞ্চল চিনি নাপালে, কিন্তু সমান তীৰেৰে এডোখৰ ঘুপীয়া ঠাই দেখি জাহাজ খন তাত সুমুৱাবলৈ চেষ্টা কৰিলে৷ ৪০ সেইবাবে লঙ্গৰবোৰ কাতি সাগৰত পেলাই দিলে আৰু একে সময়তে হালিৰ বান্ধ খুলি দি, বতাহত পাল তৰি সেই তীৰলৈ আগবাঢ়ি গ'ল৷ ৪১ কিন্তু জাহাজ খন আহি আহি দুখন সাগৰৰ সঙ্গম স্থলৰ এক অশান্ত অঞ্চলত সোমাই পৰিল; তাতে জাহাজৰ আগ অংশটো বালিত খুন্দা খোৱাত, জাহাজ খন নলৰাকৈ লাগি ধৰিল আৰু পাছ অংশটো ভাঙি যাব ধৰিলে৷ ৪২ সেনা সকলে বন্দীবোৰ সাঁতুৰি পলায় বুলি ভাবি তেওঁলোকে সেই বন্দী সকলক বধ কৰাৰ আচনি কৰিছিল; ৪৩ কিন্তু এশৰ সেনাপতিয়ে পৌলক ৰক্ষা কৰাৰ মনেৰে নিজে সেনা সকলৰ উদ্দেশ্যৰ পৰা তেওঁলোকক নিষেধ কৰি, এই আজ্ঞা দিলে যে, 'যিবোৰে সাঁতুৰিব জানে, সেইবোৰে যেন আগেয়ে জাঁপ মাৰি সাঁতুৰি বামলৈ যাওক'; ৪৪ আৰু বাকিবোৰে জাহাজৰ কাঠৰ পাট বা আন কোনো জাহাজৰ বস্তুৰ সহায় লৈ পাছে পাছে যাবলৈ কোৱাত, আমি সকলোৱে বামত উঠি ৰক্ষা পালোঁ৷

**২৮** এনেদৰে সকলোৱে নিৰাপদে বামত উঠি ৰক্ষা পোৱাৰ পাছত, আমি সেই দ্বীপটোৰ নাম মিলিতা বুলি জানিলোঁ৷ ২ তাত থকা স্থানীয়

লোক সকলে আমাক বিদেশী বুলি কেৱল মৰম দেখুৱাই নহয়, কিন্তু তেতিয়া ঘন বৰষুণ আৰু জাৰৰ কাৰণে তেওঁলোকে জুই জ্বলালে আৰু আমাক মৰমেৰে গ্রহন কৰিলে৷ ৩ কিন্তু পৌলে যেতিয়া এমুঠি খৰি গোটাই জুইত দিলে তেতিয়া জুইৰ তাপ পাই এটা ক'লা সাপ ওলাই আহি তেওঁৰ হাতত মেৰিয়াই ধৰিলে৷ ৪ তাতে স্থানীয় লোক সকলে তেওঁৰ হাতত সাপ ওলমি থকা দেখি, ইজনে সিজনক কবলৈ ধৰিলে, "এই মানুহ জন নিশ্চয়কৈ এজন হত্যাকাৰী; সাগৰৰ পৰা ৰক্ষা পোৱাৰ পাছতো ন্যায় দিওঁতাই ইয়াক জীয়াই থাকিব নিদিলে৷" ৫ কিন্তু যেতিয়া তেওঁ জোকাৰ মাৰি সাপটোক জুইত পেলাই দিয়া দেখিলে; আনফালে তেওঁৰ একো ক্ষতিও নহ'ল, ৬ তেতিয়া তাত উপস্থিত থকা লোকসকলে তেওঁৰ গা জ্বৰ হৈ উখহি উঠিব বা অকস্মাতে পৰি মৰিব বুলি ভাবিছিল৷ কিন্তু বহু সময় তেওঁৰ একো হোৱা নেদেখি, সিহঁতে মত সলনি কৰি ক'লে যে, "তেওঁ এজন দেৱতা৷" ৭ সেই ঠাইৰ ওচৰত পুব্লিয় নামেৰে দ্বীপটোৰ প্ৰধান লোক জনৰ মাটি আছিল৷ তেৱেঁই আমাক আদৰণি জনাই, মৰমেৰে তিন দিন আলহী কৰি ৰাখিলে; ৮ আৰু সেই সময়তে পুব্লিয়ৰ পিতৃৰ জ্বৰ আৰু গ্ৰহণী ৰোগ হৈ আছিল৷ পৌলে তাতে সোমাই গাত হাত দি প্রার্থনা কৰি তেওঁক সুস্থ কৰিলে৷ ৯ এনেদৰে সুস্থ কৰাৰ পাছত সেই দ্বীপত আন যিমান ৰোগী আছিল সেই সকলো আহি সুস্থ হ'ল৷ ১০ তেতিয়া তেওঁলোকে আমাক অনেক আদৰ-সাদৰ কৰিলে আৰু আমাৰ যোৱাৰ সময়তো নানা প্রয়োজনীয় বস্তু আনি জাহাজত তুলি দিলে৷ ১১ তিনি মাহৰ পাছত আমি আলেকজেন্দ্রিয়া নগৰৰ পৰা দিয়স্কৰী, অর্থাৎ যজা লৰাৰ চিন থকা জাহাজ খনত উঠি যাত্রা কৰিলোঁ; এই জাহাজ খন জাৰকালি আহি এই দ্বীপটোত আছিল৷ ১২ এনেদৰে আমি চুৰাকূচ নগৰলৈ আহিলোঁ আৰু সেই ঠাইতে তিন দিন থাকিলোঁ৷ ১৩ তাৰ পৰা যাত্রা কৰি আমি ৰীগিয়া নগৰ পালোঁ; এদিন পাছত দক্ষিণৰ বতাহ বলাত, দ্বিতীয় দিনা পুতিয়লী নগৰ পালোহি৷ ১৪ তাত কেইবাজনো ভাই পালোঁ, তেওঁলোকে আমাক সাত দিন থাকিবলৈ নিমন্ত্রণ দিলে; এইদৰে আমি ৰোমলৈ যাত্রা কৰিলোঁ৷ ১৫ তাৰ পৰা ভাই সকলে আমাৰ সম্বাদ শুনি

আমাক আগবঢ়াই নিবলৈ অপ্পিয় হাট আৰু তিনি চৰাইলৈকে আহিছিল;
পৌলে তেওঁলোকক দেখি ঈশ্বৰৰ স্তুতি কৰি সাহস পালে৷ ১৬ ৰোম
নগৰত সোমোৱাৰ পাছত, পৌলক তেওঁৰ পহৰা দিয়া সেনাৰ সৈতে
নিজৰ মতে থাকিবলৈ অনুমতি দিলে৷ ১৭ পাছত তিন দিনৰ মূৰত
পৌলে ইহুদী সকলৰ প্ৰধান লোক সকলক মতাই আনি গোট খুৱালে
আৰু তেওঁলোক গোট খোৱাত, তেওঁ ক'লে, "হে ভাইসকল, মই মোৰ
জাতিৰ নাইবা পূৰ্বপুৰুষৰ ৰীতিৰ বিৰুদ্ধে একো কৰা নাই; তথাপি
যিৰূচালেমৰ পৰা নিয়া হৈ ৰোমীয়া লোক সকলৰ হাতত মই বন্দী
হিচাপে সমৰ্পিত হৈছিলো৷ ১৮ তেখেত সকলে মোৰ সোধ-বিচাৰ কৰি
মোক মুক্ত কৰিবলৈ কামনা কৰিলে, কিয়নো মোক প্ৰাণদণ্ড দিয়াৰ
একো কাৰণ নাছিল৷ ১৯ কিন্তু যেতিয়া ইহুদী সকলে আপত্তি কৰিলে,
মই চীজাৰৰ ওচৰত আপীল কৰিবলৈ বাধ্য হলোঁ; কিন্তু এনে নহয়
যে, মই মোৰ জাতিক কোনো অপবাদ দিছিলোঁ৷ ২০ এই কাৰণে
আপোনালোকক চাবলৈ আৰু কথা-বাৰ্ত্তা হবলৈ মাতিলো, কিয়নো
ইস্ৰায়েলৰ আশাৰ কাৰণেহে মই এই শিকলিৰ বান্ধনত আছোঁ৷" ২১
তেতিয়া তেওঁলোকে তেওঁক ক'লে, "আমি তোমাৰ বিষয়ে যিহুদীয়াৰ
পৰা কোনো পত্ৰকে পোৱা নাই আৰু ভাই সকলৰ মাজৰ পৰাও কোনো
ইয়ালৈ আহি তোমাৰ বিষয়ে দুষ্কৰ্মৰ খবৰ দিয়া নাই বা কোৱা নাই৷ ২২
কিন্তু তোমাৰ মত কি, সেই বিষয়ে আমি তোমাৰ পৰা শুনিবলৈ খোজো;
কিয়নো এই মতৰ বিষয়ে আমি জানো যে, ই সকলো ঠাইতে নিন্দিত
হৈছে৷" ২৩ পাছত তেওঁলোকে তেওঁলৈ এটা দিন নিৰ্ধাৰণ কৰিলে আৰু
বহুলোকে তেওঁক লগ পাবলৈ তেওঁ বসতি কৰা ঠাইলৈ আহিল৷ তেওঁ
মানুহবোৰৰ আগত ঈশ্বৰৰ ৰাজ্যৰ কথাৰ সাক্ষ্য প্ৰদান কৰিলে আৰু
ৰাতিপুৱাৰ পৰা সন্ধিয়ালৈকে মোচিৰ বিধান-শাস্ত্ৰ আৰু ভাববাদীৰ
পুস্তকৰ পৰা কথা উলিয়াই তেওঁলোকক প্ৰবৃত্তি দিলে৷ ২৪ তেওঁৰ
কথা কিছুমান লোকে বিশ্বাস কৰিলে আৰু কিছুমান লোকে অবিশ্বাস
কৰিলে৷ ২৫ তাৰ পাছত পৌলে যেতিয়া ক'লে, "পবিত্ৰ আত্মাই যিচয়া
ভাৱবাদীৰ দ্বাৰাই আমাৰ পূৰ্বপুৰুষ সকলৰ বিষয়ে ভালদৰে কৈছিল";
কিন্তু সেই কথাত পৰস্পৰৰ মাজত একমত নোহোৱাত, তেওঁলোক

বিদায় ল'বলৈ ধৰিলে। ২৬ পৌলে কৈছিল, "এই মানুহবোৰৰ ওচৰলৈ
গৈ কোৱা, 'তোমালোকে শুনাত শুনিবা কিন্তু নুবুজিবা; দেখোতে
দেখিবা কিন্তু নাজানিবা; ২৭ কিয়নো এই মানুহবোৰৰ হৃদয় ভোতোহা
হৈ পৰিছে, তেওঁলোকৰ কাণো শুনিবলৈ গধূৰ, তেওঁলোকে নিজ
নিজ চকু বন্ধ কৰিলে; নহ'লে তেওঁলোকে দেখিলেহেঁতেন, আৰু
কাণেৰে শুনিলেহেঁতেন, আৰু অন্তৰেৰে বুজিলেহেঁতেন, আৰু ঘূৰি
আহিলেহেঁতেন, আৰু মই তেওঁলোকক সুস্থ কৰিলোঁহেতেন।' ২৮
সেই কাৰণে আপোনালোকে জানিব যে, ঈশ্বৰৰ এই পৰিত্ৰাণৰ কথা
অনা-ইহুদী সকলৰ মাজলৈ পঠোৱা হৈছে আৰু তেওঁলোকে তেওঁৰ
বিষয়ে শুনিবও।" ৩০ পাছত পৌলে দুবছৰলৈকে নিজে ভাড়া লোৱা
ঘৰত থাকিলে আৰু যিমান মানুহ তেওঁৰ ওচৰলৈ আহিল, সেই আটাই
লোককে তেওঁ গ্ৰহণ কৰিলে। ৩১ তাতে তেওঁ কোনো বাধা নোপোৱাকৈ
ঈশ্বৰৰ ৰাজ্য আৰু প্ৰভু যীচু খ্ৰীষ্টৰ বিষয়ে সাহসেৰে প্ৰচাৰ কৰি থাকিল।

# ৰোমীয়া

১ মই পৌল, যীচু খ্ৰীষ্টৰ এজন দাস আৰু ঈশ্বৰৰ শুভবাৰ্তাৰ কাৰণে
পৃথক হোৱা আমন্ত্ৰিত পাঁচনি; ২ যি শুভবাৰ্তাৰ বিষয়ে ঈশ্বৰে পূৰ্বতে
তেওঁৰ ভাববাদী সকলৰ যোগেদি পবিত্ৰ বিধান-শাস্ত্ৰত প্ৰতিজ্ঞা
কৰিছিল, ৩ সেয়ে তেওঁৰ পুত্ৰ যীচু খ্ৰীষ্টৰ বিষয়ৰ শুভবাৰ্তা; যি জনে
মানৱ ৰূপে দায়ুদৰ বংশত জন্মিছিল৷ ৪ তেওঁ পবিত্ৰ আত্মাৰ শক্তিৰ
যোগেদি ঈশ্বৰৰ পুত্ৰৰূপে ঘোষণা কৰা হৈ পবিত্ৰতাৰ দ্বাৰা মৃত্যুৰ পৰা
পুনৰুত্থিত হ'ল, তেৱেঁই আমাৰ প্ৰভু যীচু খ্ৰীষ্ট৷ ৫ তেওঁৰেই দ্বাৰাই আমি
তেওঁৰ নামৰ কাৰণে, সকলো জাতিৰ মাজত বিশ্বাসৰূপ আজ্ঞাধীনতাৰ
অৰ্থে অনুগ্ৰহ আৰু পাঁচনি পদ পালোঁ; ৬ সেই জাতিবোৰৰ মাজত
আপোনালোকো যীচু খ্ৰীষ্টৰ আমন্ত্ৰিত লোক৷ ৭ ৰোমত থকা ঈশ্বৰৰ যি
প্ৰিয় লোক আৰু তেওঁক বিশ্বাস কৰা সেই পবিত্ৰ লোক সকল; আমাৰ
পিতৃ ঈশ্বৰৰ আৰু প্ৰভু যীচু খ্ৰীষ্টৰ পৰা অাপোনালোকলৈ অনুগ্ৰহ
আৰু শান্তি হওক। ৮ প্ৰথমতে, যীচু খ্ৰীষ্টৰ যোগেদি অাপোনালোক
সকলোৰে বিষয়ে মই ঈশ্বৰৰ ধন্যবাদ কৰিছোঁ, কাৰণ গোটেই জগতত
অাপোনালোকৰ বিশ্বাস প্ৰচাৰিত হ'ল৷ ৯ কিয়নো ঈশ্বৰ মোৰ সাক্ষ্য,
যি জনক মই নিজ আত্মাৰে সৈতে তেওঁৰ পুত্ৰৰ শুভবাৰ্তাৰ সেৱা কৰোঁ
আৰু সেই জনৰ ওচৰত মই নিৰন্তৰে আপোনালোকৰ নাম উল্লেখ
কৰি, ১০ মোৰ প্ৰাৰ্থনা কালত সদায় অনুৰোধ কৰোঁ, আৰু শেষত মই
যেন কোনো প্ৰকাৰে ঈশ্বৰৰ ইচ্ছাৰ দ্বাৰাই আপোনালোকৰ ওচৰত
আহিবলৈ সফল হওঁ৷ ১১ কিয়নো মই আপোনালোকক চাবলৈ অতিশয়
হাবিয়াহ কৰি আছোঁ, যাতে মই আপোনালোকক কোনো আত্মিক
বৰৰ ভাগী কৰিব পাৰোঁ, আৰু তাতে আপোনালোকেও যেন সুস্থিৰ
থাকিব পাৰে৷ ১২ আপোনালোকৰ আৰু মোৰ, উভয় পক্ষৰ আন্তৰিক
বিশ্বাসৰ দ্বাৰাই আপোনালোকৰ মাজত নিজেও আশ্বাস পাবলৈ, মই
ইচ্ছা কৰিছোঁ। ১৩ হে ভাই সকল, মই নিবিচাৰোঁ যে, আপোনালোকে
এই কথা নজনাকৈ থাকক; মই বাৰে বাৰে আপোনালোকৰ ওচৰলৈ
আহিব বিচাৰিছিলোঁ৷ যেনেকৈ মই আৰু অনা-ইহুদী লোক সকলে
ফল পাইছোঁ, তেনেকৈ আপোনালোকেও পাওক; কিন্তু এতিয়ালৈকে

বাধা পাই আছোঁ৷ ১৪ গ্ৰীক, বিদেশী, জ্ঞানী আৰু অজ্ঞানী, এই
সকলোৰে ওচৰত মই ধৰুৱা হৈ আছোঁ৷ ১৫ এই হেতুকে ৰোমত থকা
যি আপোনালোক, াপোনালোকৰ আগতো মই সাধ্য অনুসাৰে
শুভবাৰ্তা প্ৰচাৰ কৰিবলৈ ইচ্ছুক আছোঁ। ১৬ কিয়নো শুভবাৰ্তাত মই
লাজ নাপাও; কাৰণ প্ৰথমে ইহুদী, পাছত গ্ৰীক লোকলৈ আৰু বিশ্বাস
কৰা প্ৰত্যেক জনলৈ, এয়া পৰিত্ৰাণৰ অৰ্থে ঈশ্বৰৰ শক্তি। ১৭ কিয়নো
ইয়াত ঈশ্বৰৰ ধাৰ্মিকতা বিশ্বাসৰ পৰা বিশ্বাসলৈ প্ৰকাশিত হৈ আছে;
এই বিষয়ে লিখাও আছে, "ধাৰ্মিক জন বিশ্বাসৰ দ্বাৰাই জীৱ।" ১৮
যি সকলে অধাৰ্মিকতাৰ দ্বাৰাই সত্যক নিবাৰণ কৰে, ঈশ্বৰৰ ক্ৰোধ
সেই অধৰ্মি আৰু ভক্তিহীন লোক সকললৈ স্বৰ্গৰ পৰা প্ৰকট হয়; ১৯
কাৰণ ঈশ্বৰৰ বিষয়ে যি জানিব পৰা যায়, সেয়ে প্ৰকাশিত হৈ আছে৷
কিয়নো ঈশ্বৰে সেই বিষয়ে সিহঁতক শিক্ষিত কৰিলে। ২০ কিয়নো
ঈশ্বৰৰ সেই অদৃশ্য গুণবোৰৰ বিষয়ে, জগত সৃষ্টিৰ কালৰে পৰা তেওঁ
সৃষ্টি কৰা সকলোকে বোধগম্য হৈ স্পষ্টকৈ দেখা গৈছে, যাতে তেওঁৰ
অনাদি অনন্ত পৰাক্ৰম আৰু ঐশ্বৰিক স্বভাৱৰ বিষয়ে আপোনালোকৰ
একো নজনাৰ কাৰণ নাথাকে; **(aïdios g126)** ২১ কিয়নো ঈশ্বৰৰ
বিষয়ে জানিও, তেওঁক ঈশ্বৰ বুলি তেওঁলোকে স্তুতি বা ধন্যবাদো
নকৰিলে; কিন্তু নিজৰ তৰ্ক-বিতৰ্কত অজ্ঞানী হ'ল আৰু তেওঁলোকৰ
অবোধ হৃদয় অন্ধকাৰময় হ'ল। ২২ নিজক জ্ঞানী দাবীদাৰ কৰি,
তেওঁলোক মূৰ্খ হ'ল; ২৩ আৰু ক্ষয়শীল মানুহ, চৰাই, চাৰিঠেঙীয়া
জন্তু আৰু উৰগ আদিৰ আকাৰযুক্ত প্ৰতিমূৰ্তিৰে সৈতে তেওঁলোকে
চিৰস্থায়ী ঈশ্বৰৰ মহিমাক সলনা-সলনি কৰিলে। ২৪ এই কাৰণে
তেওঁলোকৰ শৰীৰক অমৰ্য্যদা কৰিবলৈ, ঈশ্বৰে তেওঁলোকৰ হৃদয়ৰ
অভিলাষেৰে তেওঁলোকক অশুচিতালৈ শোধাই দিলে। ২৫ তেওঁলোকে
ঈশ্বৰৰ সত্যতাক মিছাৰ সৈতে সাল-সলনি কৰি সৃষ্টিকৰ্ত্তাৰ সলনি সৃষ্ট
বস্তুবোৰৰ আৰাধনা আৰু সেৱা কৰিলে; সেই জন সৃষ্টিকৰ্ত্তা চিৰকাল
ধন্য। আমেন। **(aiōn g165)** ২৬ এই কাৰণে, ঈশ্বৰে তেওঁলোকক
অনাদৰযুক্ত কামাভিলাষলৈ শোধাই দিলে; কিয়নো তেওঁলোকৰ স্ত্ৰী
লোক সকলে স্বাভাৱিক সঙ্গ এৰি, স্বভাৱৰ বিপৰীত সঙ্গ কৰিলে; ২৭

সেইদৰে পুৰুষ সকলেও স্বাভাৱিক স্ত্রী সঙ্গ এৰি, পৰস্পৰে কামাগ্নিৰে
দগ্ধ হৈ পুৰুষে সৈতে পুৰুষে লাজৰ কৰ্ম সাধন কৰি নিজকে নিজলৈ
ভ্ৰান্তিৰ উচিত প্ৰতিফল আনিলে। ২৮ তেওঁলোকে ঈশ্বৰৰ অৱগত
হবলৈ নিবিচাৰিলে, সেই কাৰণে ঈশ্বৰে তেওঁলোকক লম্পট মন দি,
অনুচিত কৰ্মবোৰ কৰিবলৈ তেওঁলোকক এৰি দিলে৷ ২৯ তেওঁলোক
সকলো অধাৰ্মিকতা, দুষ্টতা, লোভ আৰু ঈৰ্ষাৰে ভৰি থকা৷ তেওঁলোক
নৰবধী, বিবাদ, ছল আৰু শক্ৰুতাৰে পৰিপূৰ্ণ; ৩০ তেওঁলোক পৰচৰ্চা,
পৰনিন্দা কৰোঁতা, ঈশ্বৰৰ ঘৃণাৰ পাত্ৰ; হিংসাত্মক, উদ্ধত, অহংকাৰী,
কুকল্পনা জন্মোৱা, পিতৃ-মাতৃক নমনা লোক৷ ৩১ তেওঁলোক অজ্ঞানী,
অনিৰ্ভৰযোগ্য, স্নেহহীন আৰু নিৰ্দয় লোক৷ ৩২ আৰু এইদৰে আচৰণ
কৰা সকল যে মৃত্যুৰ যোগ্য, ঈশ্বৰৰ এই বিচাৰ জানিও, তেওঁলোকে
সেইদৰে আচৰণ কৰে; কেৱল সেয়ে নহয়, কিন্তু তেনেকুৱা আচৰণ
কৰা সকলক সন্মতিও দিয়ে।

**২** হে লোকৰ সোধ-বিচাৰ কৰা মানুহ, এই কাৰণে াপোনালোকক
ক্ষমা কৰা নহব, কিয়নো যি কথাত আপোনালোকে লোকৰ সোধ-
বিচাৰ কৰে, সেই কথাতে নিজক দোষী কৰি আছে; কাৰণ লোকৰ
বিচাৰ কৰা যি আপোনালোক, আপোনালোকে নিজেও সেই একে
আচৰণ কৰি আছে। ২ আৰু এনে আচৰণ কৰা সকলৰ বিৰুদ্ধে ঈশ্বৰৰ
দণ্ডাজ্ঞা যে সত্যৰ দৰে হয়, ইয়াক আমি জানো। ৩ কিন্তু বিবেচনা
কৰকচোন, আপোনালোক যি সকলে এনে আচৰণ কৰা সকলৰ বিচাৰ
কৰি আছে, তাতে নিজেও একে কৰ্ম কৰি, ঈশ্বৰৰ দণ্ডাজ্ঞাৰ পৰা সাৰিম
বুলি ভাবিছে নে? ৪ নে আপুনি তেওঁৰ স্নেহশীল অনুগ্ৰহ, ধৈৰ্য আৰু
চিৰসহিষ্ণুতাৰূপ ধন হেয়জ্ঞান কৰিছে? যি ঈশ্বৰৰ অনুগ্ৰহে আপোনাক
মন-পালটন কৰাৰ পথত লৈ যায়, সেই বিষয়ে আপুনি নাজানে নে? ৫
কিন্তু আপোনাৰ কঠিনতা আৰু খেদহীন হৃদয়ে, ন্যায়ৱান ঈশ্বৰৰ সোধ-
বিচাৰ প্ৰকাশ হোৱা ক্ৰোধৰ সেই দিনলৈ নিজৰ বাবে ক্ৰোধ সাঁচিছে।
৬ তেওঁ প্ৰতিজনক নিজ নিজ কৰ্ম অনুসাৰে প্ৰতিফল দিব; ৭ যি সকলে
সৎকৰ্মত ধৈৰ্য ধৰি মহিমা, সন্মান আৰু অক্ষয়তা বিচাৰে, তেওঁলোকক
অনন্ত জীৱন দিব৷ **(aiōnios g166)** ৮ কিন্তু বিৰোধী লোক সকললৈ আৰু

সত্যক অমান্য কৰি অধাৰ্মিকতাক মান্য কৰা সকলৈ ক্ৰোধ আৰু
কোপ হ'ব; ৯ তাতে সকলো মানুহৰ প্ৰাণৰ, প্ৰথমতে ইহুদী, পাছত
গ্ৰীকলোকৰো, তেনে কুকৰ্ম সাধন কৰা সকলোৰে, ক্লেশ আৰু সঙ্কট
ঘটিব৷ ১০ কিন্তু প্ৰথমে ইহুদী, পাছত গ্ৰীক লোকলৈ সৎকৰ্ম সাধন
কৰা সকলো লোকলৈ গৌৰৱ, মৰ্যদা, আৰু শান্তি হ'ব; ১১ কিয়নো
ঈশ্বৰৰ সৈতে কোনো পক্ষপাত নাই৷ ১২ সেয়েহে বিধান নাজানি যি
সকলে পাপ কৰিলে, সেই সকলোৰে বিধান অবিহনে বিনাশ হ'ব
আৰু একেদৰে যি সকলে বিধান জানিও পাপ কৰিলে, তেওঁলোকৰ
বিধানৰ দ্বাৰাই সোধ-বিচাৰ হ'ব। ১৩ কিয়নো ঈশ্বৰৰ আগত বিধান
শুনা সকল ধাৰ্মিক নহয়, কিন্তু বিধান পালন কৰা সকলহে ধাৰ্মিক
বুলি প্ৰমাণিত হ'ব; ১৪ কাৰণ যেতিয়া বিধানহীন অনা-ইহুদী সকলে
স্বভাৱতে বিধানৰ কৰ্ম কৰে, তেতিয়া সেই বিধানহীন সকলৰ বিধান
তেওঁলোকেই হয়। ১৫ এনেদৰে তেওঁলোকে বিধানৰ যি প্ৰয়োজনীয়
কৰ্ম নিজ নিজ হৃদয়ত লিখা থকা দেখুৱাইছে; আৰু তেওঁলোকৰ
বিবেকেও সেই বিষয়ে সাক্ষ্য দি তেওঁলোকৰ মনৰ ভাৱেৰে নিজকে
হয়তো অভিযুক্ত বা সমৰ্থন কৰে, ১৬ আৰু যিদিনা মোৰ শুভবাৰ্তাৰ
দৰে ঈশ্বৰে খ্ৰীষ্ট যীচুৰ দ্বাৰাই লোক সকলৰ গুপুত বিষয়ৰ সোধ-বিচাৰ
কৰিব, সেইদিনা এনে ঘটিব৷ ১৭ আপুনি যদি নিজকে ইহুদী বুলি কয়,
তেনেহলে বিধানত নিৰ্ভৰ কৰক আৰু ঈশ্বৰত আনন্দেৰে গৌৰৱ কৰক,
১৮ আৰু বিধানৰ পৰা শিক্ষা পোৱাত, তেওঁৰ ইচ্ছা জানক আৰু সেই
বিষয়ে পৃথক হ'লে সেইবোৰক পৰীক্ষা কৰক; ১৯ নিজকে অন্ধ সকলৰ
পথদৰ্শক বুলি বিশ্বাস কৰি আন্ধাৰত থকা সকলৈ পোহৰ হওক, ২০
অজ্ঞানক জ্ঞান দিওঁতা, শিশু সকলৰ গুৰু আৰু বিধানত থকা সকলো
জ্ঞান আৰু সত্যতাৰ বিষয়ে আপুনি জানক৷ ২১ তেনেহলে হে লোকক
শিক্ষা দিওঁতা, অাপুনি নিজকে শিক্ষা নিদিয়ে নে? হে চুৰ নকৰিবলৈ
ঘোষণা কৰা জন, আপুনি চুৰ নকৰে নে? ২২ হে ব্যভিচাৰ নকৰিবলৈ
কোৱা জন, আপুনি ব্যভিচাৰ নকৰে নে? হে মূৰ্তিপূজাবোৰক ঘিণ কৰা
জন, মন্দিৰবোৰৰ পৰা আপুনি লুট নকৰে নে? ২৩ হে বিধানত গৌৰৱ
কৰা জন, আপুনি বিধান উলঙ্ঘন কৰি ঈশ্বৰৰ অসন্মান নকৰে নে?

২৪ কিয়নো “ঈশ্বৰৰ নাম তোমালোকৰ কাৰণেই অনা-ইহুদী সকলৰ
মাজত নিন্দিত হৈছে,” ঠিক এনেদৰে লিখাও আছে৷ ২৫ কাৰণ আপুনি
যদি বিধান পালন কৰে, তেনেহলে প্ৰকৃততে আপোনাৰ চুন্নতৰ লাভ
হয়; কিন্তু আপুনি যদি বিধান-উলঙ্ঘনকাৰী হয়, তেনেহলে আপুনি
চুন্নৎ নোহোৱাৰ সমান হ'ল। ২৬ এতেকে চুন্নৎ নোহোৱা জনে যদি
বিধানৰ বিধিবোৰ পালন কৰে, তেনেহলে অচুন্নৎ জনো চুন্নৎ বুলি
গণিত নহ'ব নে? ২৭ আৰু বিধান পালনকাৰী স্বাভাৱিক অচুন্নৎ জনে,
চুন্নৎ হয়ো বিধান উলঙ্ঘন কৰা যি আপুনি, অাপোনাৰ সোধ-বিচাৰ
শাস্ত্ৰ অনুসাৰে তেওঁ নকৰিব নে? ২৮ কিয়নো মাত্ৰ বাহ্যিকভাৱে ইহুদী
হলেই প্ৰকৃত ইহুদী হব নোৱাৰি আৰু মাংসত কৰা যি বাহিৰৰ চুন্নৎ
সেই জনো চুন্নৎ নহয়; ২৯ কিন্তু যি জন ভিতৰে ইহুদী, তেওঁহে ইহুদী
হয়; আৰু আখৰেৰে নহয়, কিন্তু আত্মাৰে, হৃদয়ৰ যি চুন্নৎ, সেয়েহে
চুন্নৎ; তেওঁৰ প্ৰশংসা মানুহৰ পৰা নহয় কিন্তু ঈশ্বৰৰ পৰাহে হয়।

৩ তেনেহ'লে ইহুদী সকলৰ এনে কি সুবিধা আছে, যি অন্য লোকৰ
নাই? চুন্নতৰেই বা মূল্য কি? ২ সকলো ফালৰ পৰা ইহুদী সকলৰ
বহুতো সুবিধা আছে; তাৰ মাজৰ গুৰুত্বপূৰ্ণ বিষয়টো হ'ল, ঈশ্বৰে
তেওঁৰ শিক্ষা প্ৰথমে ইহুদী সকলকেই দিছিল৷ ৩ কাৰণ কোনো কোনো
ইহুদী সকলে যদি অবিশ্বাস কৰে, তেতিয়া কি হ'ব? তেওঁলোকৰ
অবিশ্বাসে ঈশ্বৰৰ বিশ্বাস যোগ্যতা বিফল কৰিব নে? ৪ কোনো
প্ৰকাৰে এনে নহব৷ সকলো মানুহ মিছলীয়া হ'লেও, ঈশ্বৰক সত্য
বুলি মনা হওক; এই বিষয়ে লিখাও আছে, “তুমি যেন নিজৰ কথাত
ধাৰ্মিক বুলি প্ৰমাণিত হ'বা, আৰু সকলো বিচাৰত জয়ী হ'বা।” ৫ কিন্তু
আমাৰ অধাৰ্মিকতাই যদি ঈশ্বৰৰ ধাৰ্মিকতা প্ৰকাশ কৰে, তেনেহলে
আমি কি ক'ম? ক্ৰোধ সফলকাৰী ঈশ্বৰ অধাৰ্মিক নে? মই সাধাৰণ
মানুহৰ যুক্তিৰে কৈছোঁ৷ ৬ এনে যেন কেতিয়াও নহওক৷ কিয়নো
তেতিয়া ঈশ্বৰে কেনেকৈ জগতৰ সোধ-বিচাৰ কৰিব? ৭ কিন্তু মোৰ
মিছাৰ দ্বাৰাই যদি ঈশ্বৰৰ সত্যতা তেওঁৰ মহিমাৰ অৰ্থে উপচি পৰে,
তেনেহলে আকৌ পাপী বুলি এতিয়াও মোৰ কিয় সোধ-বিচাৰ কৰা
হয়? ৮ “ভালৰ অৰ্থে কুকৰ্ম কৰোঁহক,” এই কথাষাৰ আমি কৈছোঁ

বুলি যেনেকৈ কোনো লোকে আনৰ আগত আমাৰ নিন্দা কৰি কয়,
তেনেকৈ আমিও কিয় নকওঁ? এনে কথা কোৱা সকলৰ ন্যায় দণ্ডাজ্ঞাৰ
যোগ্য। ৯ তেনেহলে কি? আমি আনতকৈ উত্তম নে? কোনোমতে
নহওঁ; কিয়নো আমি আগেয়ে দুয়ো ইহুদী আৰু গ্ৰীক সকলক এই দায়
দিলোঁ যে তেওঁলোক সকলোৱেই পাপৰ অধীন৷ ১০ এই বিষয়ে লিখাও
আছে, "ধাৰ্মিক কোনো নাই; এজনো নাই৷ ১১ বিবেচক কোনো নাই৷
ঈশ্বৰক বিচৰাও কোনো নাই৷ ১২ সকলো অপথে গ'ল, একেবাৰে
অকৰ্মন্য হ'ল; সদাচৰণকাৰী কোনো নাই, এজনো নাই। ১৩ সিহঁতৰ
ডিঙিৰ নলী মুকলি মৈদামৰ নিচিনা৷ সিহঁতে জিভাৰে প্ৰতাৰণা কৰে৷
সিহঁতৰ ওঠৰ তলত কালসৰ্পৰ বিষ থাকে৷ ১৪ সিহঁতৰ মুখ অভিশাপ
আৰু কটুবাক্যৰে পৰিপূৰ্ণ৷ ১৫ সিহঁতৰ ভৰি ৰক্তপাত কৰিবলৈ বেগী৷
১৬ সিহঁতৰ সকলো পথত বিনাশ আৰু দূৰ্দশা হয়৷ ১৭ সিহঁতে শান্তিৰ
পথ নাজানিলে৷ ১৮ সিহঁতৰ চকুৰ আগত ঈশ্বৰলৈ ভয় নাই৷" ১৯ আমি
জানো যে বিধানে যি যি কয়, বিধানৰ অধীনত থকা লোক সকলকহে
কয়, যাতে তাৰ দ্বাৰাই সকলোৰে মুখ বন্ধ হয় আৰু গোটেই জগত
ঈশ্বৰৰ আগত দণ্ডনীয় হয়৷ ২০ কিয়নো বিধানৰ কৰ্মৰ দ্বাৰাই কোনো
মানুহ তেওঁৰ আগত ধাৰ্মিক বুলি প্ৰমাণিত নহ'ব; কাৰণ বিধানৰ দ্বাৰাই
পাপৰ বিষয়ে জ্ঞান জন্মে। ২১ কিন্তু এতিয়া, যি বিষয়ত বিধান-শাস্ত্ৰ
আৰু ভাববাদী সকলে সাক্ষ্য দিলে, ঈশ্বৰে এনে বিষয়ত ধাৰ্মিকতা
বিনাবিধানে প্ৰকাশিত কৰিছে; ২২ ঈশ্বৰৰ সেই ধাৰ্মিকতা যীচু খ্ৰীষ্টত
বিশ্বাস কৰাৰ দ্বাৰাই বিশ্বাস কৰা সকলোলৈ দিয়া হয়, কিয়নো ঈশ্বৰত
কোনো প্ৰভেদ নাই৷ ২৩ কাৰণ সকলোৱে পাপ কৰিলে আৰু ঈশ্বৰৰ
মহিমাৰ পৰা বঞ্চিত হ'ল, ২৪ কিন্তু খ্ৰীষ্ট যীচুত যি মুক্তি, তাৰ দ্বাৰাই
ঈশ্বৰৰ অনুগ্ৰহত বিনামূল্যে ধাৰ্মিক বুলি প্ৰমাণিত হ'ল। ২৫ কাৰণ
ঈশ্বৰে যীচু খ্ৰীষ্টক তেওঁৰ তেজৰ দ্বাৰাই বিশ্বাসৰ প্ৰতিকাৰ স্বৰূপে,
তেওঁৰ ধৈৰ্য-গুণত, পূৰ্বে কৰা নানা পাপৰ দণ্ড নিদিয়াকৈ থকাৰ
কাৰণে, নিজ ধাৰ্মিকতা দেখুৱাবলৈ, তেওঁ যীচু খ্ৰীষ্টক দান কৰিলে৷
২৬ তেওঁ পুত্ৰ যীচুক দান কৰি আজিও দেখুৱাই যে, তেওঁ ন্যায়ৱান৷
ঈশ্বৰে এই কাৰ্য কৰিছে যাতে, তেওঁৰ ন্যায়পৰায়ণতা থাকে আৰু

যদি কোনোৱে যীচুত বিশ্বাস কৰে, তেৱোঁ যেন ধাৰ্মিক ৰূপে প্ৰমাণিত
হয়৷ ২৭ তেনেহ'লে আত্ম-শ্লাঘা ক'ত? তাক দূৰ কৰা হ'ল। কেনেকুৱা
বিধানেৰে? কৰ্মবোৰৰ দ্বাৰাই নে? নহয়; বিশ্বাসৰ বিধানেৰেহে।
২৮ এতেকে আমি সিদ্ধান্ত কৰিছোঁ যে, বিধানৰ কৰ্মৰ দ্বাৰা নহয়,
বিশ্বাসেৰেহে মানুহ ধাৰ্মিক বুলি প্ৰমাণিত হয়৷ ২৯ ঈশ্বৰ অকল ইহুদী
সকলৰ ঈশ্বৰ নে? তেওঁ অনা-ইহুদী সকলৰো ঈশ্বৰ নহয় জনো?
অৱশ্যে, অনা-ইহুদী সকলৰো ঈশ্বৰ হয়৷ ৩০ প্ৰকৃততে ঈশ্বৰ যদি
এজন, চুন্নৎ হোৱা সকলক বিশ্বাসৰ কাৰণে আৰু অচুন্নৎ সকলক
বিশ্বাসৰ দ্বাৰাইহে ধাৰ্মিক বুলি প্ৰমাণিত কৰিব। ৩১ তেনেহলে আমি
বিশ্বাসৰ দ্বাৰাই বিধান লুপ্ত কৰিছোঁ নে? এনে যেন কেতিয়াও নহওক;
ইয়াৰ পৰিৱৰ্তে আমি বিধান স্থিৰহে কৰিছোঁ।

**4** তেনেহলে শৰীৰৰ সম্বন্ধে হোৱা আমাৰ উপৰি-পুৰুষ যি অব্ৰাহাম,
তেওঁৰ বিষয়ে আমি কি ক'ম? ২ কিয়নো অব্ৰাহামে যদি কৰ্মৰ দ্বাৰাই
ধাৰ্মিক বুলি গণিত হৈছিল, তেনেহলে গৌৰৱ কৰাৰ কাৰণ তেওঁৰ
আছিল; কিন্তু ঈশ্বৰৰ আগত সেই গৌৰৱ কৰাৰ কোনো কাৰণ নাছিল।
৩ কাৰণ ধৰ্মশাস্ত্ৰই কি কৈছে? অব্ৰাহামে ঈশ্বৰত বিশ্বাস কৰাত, সেই
বিশ্বাস তেওঁলৈ ধাৰ্মিকতাৰ অৰ্থে গণিত হ'ল। ৪ কৰ্মকাৰীৰ বেচ
অনুগ্ৰহৰ পৰা বুলি গণিত নহয়, কিন্তু সেয়া পাবলগীয়া বুলিহে গণিত
হয়। ৫ কিন্তু যি জন কৰ্মকাৰী নহয় কিন্তু অধাৰ্মিক সকলক ধাৰ্মিক
বুলি গণিত কৰা জনক বিশ্বাস কৰে, তেওঁৰ সেই বিশ্বাস ধাৰ্মিকতাৰ
অৰ্থে প্ৰমাণিত হয়। ৬ এইদৰে দায়ুদেও কৈছিল, 'সেই ব্যক্তি ধন্য যি
ব্যক্তিৰ ধাৰ্মিকতা ঈশ্বৰে গণনা কৰে কিন্তু তেওঁৰ কৰ্মৰ দ্বাৰা নহয়', ৭
এই বিষয়ে কোৱা আছে, বোলে- "যি সকলৰ অধৰ্ম ক্ষমা কৰা হ'ল,
আৰু যি সকলৰ পাপ ঢকা হ'ল, তেওঁলোক ধন্য; ৮ যি মানুহৰ অৰ্থে
প্ৰভুৱে পাপ গণনা নকৰিব, তেওঁ ধন্য।" ৯ তেনেহলে সেই ধন্যবাদ
কেৱল চুন্নৎ হোৱা সকললৈ নে, নে কেৱল অচুন্নৎ সকললৈ হয়?
কিয়নো আমি কওঁ, "অব্ৰাহামৰ বিশ্বাস ধাৰ্মিকতাৰ অৰ্থে গণিত হ'ল;"
১০ তেনেহলে কি ধৰণে গণিত হ'ল? তেওঁ চুন্নৎ হোৱা অৱস্থাত, নে
চুন্নৎ নোহোৱা অৱস্থাত? চুন্নৎ হোৱা অৱস্থাত নহয় কিন্তু চুন্নৎ নোহোৱা

অৱস্থাতহে গণিত হ'ল। ১১ চুন্নৎ নোহোৱা অৱস্থাত অব্ৰাহামৰ বিশ্বাসৰ
দ্বাৰাই যি ধাৰ্মিকতা আছিল, তাৰ ছাব স্বৰূপে তেওঁ সেই চুন্নতৰূপ
চিন পাইছিল, যাতে চুন্নৎ নোহোৱা অৱস্থাত বিশ্বাস কৰা সকলোৰে
তেওঁ পিতৃ হয় আৰু ধাৰ্মিকতা যেন তেওঁলোকলৈ গণিত হয়; ১২ আৰু
যাতে তেওঁ কেৱল চুন্নৎ হোৱা সকলৰ পিতৃ নহয় কিন্তু আমাৰ পিতৃ
অব্ৰাহামৰ অচুন্নৎ অৱস্থাত যি বিশ্বাস আছিল, সেই লোক সকলেও
যদি অব্ৰাহামৰ বিশ্বাসৰ পথত চলে তেনেহলে তেওঁলোকো অব্ৰাহামৰ
সন্তান। ১৩ কিয়নো সেই প্ৰতিজ্ঞা অব্ৰাহাম বা তেওঁৰ বংশলৈ কৰা
হৈছিল যে, তেওঁ জগতৰ উত্তৰাধিকাৰী হ'ব, সেয়ে বিধানৰ দ্বাৰাই
নহয়, কিন্তু তেওঁৰ বিশ্বাসৰ ধাৰ্মিকতাৰ দ্বাৰাইহে হৈছিল। ১৪ কিয়নো
বিধানৰ দ্বাৰাই ধাৰ্মিক হোৱা সকল যদি উত্তৰাধিকাৰী হয়, তেনেহলে
বিশ্বাস ব্যৰ্থ হ'ল আৰু সেই প্ৰতিজ্ঞাও বিফল হ'ল; ১৫ কিয়নো বিধানে
ক্ৰোধ সাধন কৰায়; কিন্তু য'ত বিধান নাই, তাত উলঙ্ঘনো নাই। ১৬
এই কাৰণে বংশবোৰৰ সেই প্ৰতিজ্ঞাৰ নিশ্চিত উত্তৰাধিকাৰী হবলৈ
তেওঁলোকৰ উত্তৰাধীকাৰ বিশ্বাসৰ দ্বাৰাই অনুগ্ৰহেৰেহে হব লাগিব;
আৰু কেৱল বংশবোৰৰ বিধানৰ দ্বাৰাই ধাৰ্মিক হোৱা সকলেই নহয়
কিন্তু অব্ৰাহামৰ বিশ্বাসৰ দ্বাৰাই ধাৰ্মিক হোৱা সকলেও সেই প্ৰতিজ্ঞাৰ
অন্তৰ্ভুক্ত হব; যি অব্ৰাহাম আমাৰ সকলোৰে পিতৃ ১৭ আৰু যি দৰে লিখা
আছে, মই তোমাক অনেক জাতিৰ আদিপিতৃ পাতিলো। আব্ৰাহামে
ঈশ্বৰত বিশ্বাস ৰাখি, তেওঁৰ সাক্ষাতে আছিল, কিয়নো তেওঁ বিশ্বাস
কৰা ঈশ্বৰে মৃত লোকক জীৱন দান কৰে আৰু জড়ক জীৱলৈ সম্বোধন
কৰে। ১৮ "আৰু তোমাৰ বংশ এইদৰে হ'ব," এই বাক্য অনুসাৰে
অনেক জাতিৰ পিতৃ হ'বলৈ, আশা নোহোৱাতো, তেওঁ ঈশ্বৰত আশা
ৰাখি বিশ্বাস কৰিলে; ১৯ আৰু বিশ্বাসত দূৰ্বল নহৈ, নিজৰ প্ৰায় এশ
বছৰ বয়সৰ শৰীৰক আৰু চাৰাৰ গৰ্ভক মৰাৰ নিচিনা অৱস্থাৰূপে মন
কৰিছিল যদিও, ২০ ঈশ্বৰৰ প্ৰতিজ্ঞাত সংশয় কৰি অবিশ্বাস কৰা
নাছিল; কিন্তু ঈশ্বৰে যি প্ৰতিজ্ঞা কৰিছিল, সেই মহিমাময় প্ৰতিজ্ঞাৰ
বাবে ঈশ্বৰক ধন্যবাদ দি, বিশ্বাসত বলৱান হ'ল। ২১ ঈশ্বৰে তেওঁক যি
প্ৰতিজ্ঞা কৰিছিল, সেই প্ৰতিজ্ঞা সম্পূৰ্ণভাৱে সিদ্ধ কৰিব পাৰে বুলি

তেওঁ জানিছিল৷ ২২ এই কাৰণে সেই বিশ্বাস তেওঁলৈ ধাৰ্মিকতাৰ অৰ্থে
গণিত হ'ল। ২৩ তেওঁলৈ গণিত হ'ল বুলি যে, কেৱল তেওঁৰ উপকাৰৰ
বিষয়ে লিখা হ'ল, এনে নহয়; ২৪ কিন্তু আমাৰ বাবেও লিখা হ'ল আৰু
আমাৰ প্ৰভু যীচুক মৃত লোকৰ মাজৰ পৰা তোলা জনক বিশ্বাস কৰা যি
আমি, আমালৈকো গণিত হ'ব। ২৫ সেই যীচু আমাৰ অপৰাধৰ কাৰণে
সমৰ্পিত হ'ল; আৰু আমাৰ ধাৰ্মিকতাৰ অৰ্থে তেওঁক তোলা হ'ল।

৫ এই কাৰণে আমি বিশ্বাসৰ দ্বাৰাই ধাৰ্মিক বুলি গণিত হোৱাত,
আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ যোগেদি ঈশ্বৰৰ সৈতে আমাৰ শান্তি আছে।
২ তেওঁৰ যোগেদি আমি বিশ্বাসৰ দ্বাৰাই ভিতৰত সোমাবলৈ পাওঁ,
ইয়াতে আমি অনুগ্ৰহ পাই স্থিৰেও আছোঁ৷ ইয়াতে আমি আনন্দ কৰোঁ,
এই ভাৰসালৈয়ে এদিন ঈশ্বৰৰ মহিমাৰ অংশীদাৰ হম। ৩ অকল
সেয়ে নহয়, কিন্তু আমাৰ নানা দুখ-কষ্টৰ মাজতো আমি উল্লাস কৰোঁ৷
কিয়নো আমি জানো যে, এই সকলো দুখ-কষ্টই আমাক ধৈৰ্যৰ পথত
আগবঢ়াই লৈ যায়৷ ৪ ধৈৰ্যই বক্তিত্ব গঠন কৰে আৰু ব্যক্তিত্বই আশা
জন্মায়। ৫ সেই আশাই লাজত নেপেলায়; কিয়নো আমাক দান
কৰা পবিত্ৰ আত্মাৰ যোগেদি আমাৰ হৃদয়ত ঈশ্বৰৰ প্ৰেম বাকি দিয়া
হৈছে। ৬ কিয়নো ইতিপূৰ্বে যেতিয়া আমি দূৰ্বল আছিলোঁ, তেতিয়া
খ্ৰীষ্টে উপযুক্ত সময়ত ঈশ্বৰক ভক্তি নকৰা সকলৰ কাৰণে আপোন
প্ৰাণ দিলে। ৭ ধাৰ্মিক লোকৰ কাৰণে কোনো এজনে প্ৰাণ নিদিয়ে;
সৎলোকৰ কাৰণে প্ৰাণ দিবলৈকো অৱশ্যে কোনো জনৰ সাহস থাকিব
পাৰে। ৮ কিন্তু ঈশ্বৰে আমাৰ বাবে তেওঁৰ প্ৰেমৰ প্ৰমাণ দিছে, কাৰণ
ইতিপূৰ্বে যেতিয়া আমি পাপী আছিলোঁ, তেতিয়া খ্ৰীষ্টে আমাৰ বাবে
আপোন প্ৰাণ দিলে। ৯ এতেকে এতিয়া খ্ৰীষ্টৰ তেজেৰে ধাৰ্মিক বুলি
গণিত হোৱাত, কিমান অধিক গুণে আমি তেওঁৰ তেজৰ দ্বাৰাই ঈশ্বৰৰ
ক্ৰোধৰ পৰা পৰিত্ৰাণ পাম। ১০ কিয়নো যেতিয়া শত্ৰু আছিলোঁ,
তেতিয়া ঈশ্বৰৰ পুত্ৰৰ মৃত্যুৰ যোগেদি যদি আমি ঈশ্বৰে সৈতে মিলন
হ'লোঁ, তেনেহলে সেই মিলনৰ যোগেদি আমি কিমান অধিক গুণে
তেওঁৰ জীৱনৰ দ্বাৰাই পৰিত্ৰাণ পাম; ১১ অকল সেয়ে নহয়, যি জনৰ
যোগেদি আমি ঈশ্বৰে সৈতে এতিয়া মিলন হব পাৰিলোঁ, সেই জন প্ৰভু

যীচু খ্ৰীষ্টৰ দ্বাৰাই ঈশ্বৰত আমি উল্লাসো কৰি আছোঁ। ১২ এতেকে
যেনেকৈ এজন মানুহৰ যোগেদি পাপ জগতলৈ আহিল, সেইদৰে
পাপৰ যোগেদি মৃত্যুও আহিল; আৰু সকলোৱে পাপ কৰাত, সেই মৃত্যু
সকলো মানুহৰ মাজত বিয়পি গ'ল৷ ১৩ কিয়নো বিধান দিয়ালৈকে
জগতত পাপ আছিল; কিন্তু য'ত বিধান নাই, তাত পাপকো গণনা কৰা
নাযায়। ১৪ তথাপি যি সকলে আদমৰ আজ্ঞা-লঙ্ঘনৰ দৰে পাপ কৰা
নাই, আদমৰ পৰা মোচিলৈকে তেওঁলোকৰ ওপৰতো মৃত্যুৱে ৰাজত্ব
কৰিছিল; সেই আদম আহিবলগীয়া জনৰ প্ৰতিৰূপ আছিল। ১৫ কিন্তু
অপৰাধ যেনেকুৱা, অনুগ্ৰহৰ বৰ তেনেধৰণৰ নহয়৷ কিয়নো এজনৰ
অপৰাধৰ বাবে যদি অনেকৰ মৃত্যু হ'ল, তেনেহলে কিমান অধিক
ঈশ্বৰৰ অনুগ্ৰহ আৰু এজন মানুহৰ অনুগ্ৰহৰ দ্বাৰাই অহা দান, সেয়ে
যীচু খ্ৰীষ্টত অনেকলৈ উপচি পৰিল। ১৬ পাপ কৰা এজনৰ দ্বাৰাই যেনে
হ'ল, অনুগ্ৰহৰ দান তেনে নহয়; কিয়নো এজনৰ পৰাই দণ্ডৰ ৰায় দিয়া
হ'ল; কিন্তু অনেক অপৰাধৰ পাছতো ধাৰ্মিকতালৈ অনুগ্ৰহৰ বৰ দিয়া
হ'ল। ১৭ কাৰণ এজনৰ অপৰাধত যদি, এজনৰ দ্বাৰাই মৃত্যুৱে ৰাজত্ব
পালে, তেনেহলে যি সকলে অনুগ্ৰহ আৰু ধাৰ্মিকতাৰ দানত উপচয়
হয়, তেওঁলোকে অধিক গুণে এজনৰ দ্বাৰাই জীৱনত ৰাজত্ব পাব, সেই
জন যীচু খ্ৰীষ্ট। ১৮ এতেকে যেনেকৈ এটা অপৰাধৰ যোগেদি সকলো
মানুহলৈ দণ্ডৰ আদেশ দিয়া হ'ল, তেনেকৈ ধাৰ্মিকতাৰ এটা কাৰ্যৰ
যোগেদি সকলো মানুহৰ বাবে জীৱনৰ ধাৰ্মিকতালৈ অনুগ্ৰহৰ বৰ দিয়া
হ'ল। ১৯ কিয়নো এজন মানুহৰ আজ্ঞা-লঙ্ঘনৰ যোগেদি যেনেকৈ
অনেকক পাপী বুলি গণিত কৰা হ'ল, তেনেকৈ এজনৰ আজ্ঞা পালনৰ
যোগেদি অনেকক ধাৰ্মিক কৰা হ'ব। ২০ ইয়াৰ বাহিৰেও অপৰাধ
অধিক হ'বলৈ বিধান সোমাই আহিল; কিন্তু যি ঠাইত পাপ অধিক হ'ল,
সেই ঠাইত অনুগ্ৰহ একেবাৰে উপচি পৰিল। ২১ সেই কাৰণে যেনেকৈ
মৃত্যুত পাপে ৰাজত্ব পালে, তেনেকৈ আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ যোগেদি
অনন্ত জীৱনৰ অৰ্থে অনুগ্ৰহে ধাৰ্মিকতাৰ ৰাজত্ব পায়৷ **(aiōnios g166)**

**৬** তেনেহলে আমি কি ক'ম? অনুগ্ৰহ অধিক হ'বলৈ পাপ কৰি থাকিম
নে? ২ এনে নহওক। পাপৰ সম্বন্ধে মৰা যি আমি, আমি তাত পুণৰ

কেনেকৈ জীয়াই থাকিম? ৩ নতুবা, আমি যিমান লোক খ্ৰীষ্ট যীচুৰ
উদ্দেশ্যে বাপ্তাইজিত হ'লো, সকলোৱে যে তেওঁৰ মৃত্যুৰ উদ্দেশ্যেহে
বাপ্তাইজিত হ'লো, ইয়াক আপোনালোকে নাজানা নে কি? ৪ এতেকে
পিতৃৰ মহিমাৰ যোগে যেনেকৈ খ্ৰীষ্টক মৃত সকলৰ মাজৰ পৰা তোলা
হ'ল, তেনেকৈ আমিও যেন নতুনতাত জীৱন-যাপন কৰোঁ, এই কাৰণে
বাপ্তিস্মৰ যোগেদি আমি তেওঁৰ সৈতে মৃত্যুৰ উদ্দেশ্যে মৈদামত থোৱা
হ'লোঁ। ৫ কিয়নো তেওঁৰ মৃত্যুৰ সাদৃশ্যেৰে আমি যদি সংযুক্ত হ'লোঁ,
তেনেহলে উত্থানৰ সাদৃশ্যেৰেও সংযুক্ত হ'ম৷ ৬ আমি যেন পুণৰ
পাপৰ সেৱক নহওঁ, এই কাৰণে এই পাপময় শৰীৰ বিনষ্ট হ'বৰ বাবে,
আমাৰ পুৰণি পুৰুষক তেওঁৰ সৈতে ক্ৰুচত দিয়া হ'ল, ইয়াক আমি
জানো; ৭ কিয়নো যি জন মৰিল, তেওঁ পাপৰ পৰা মুক্ত হৈ ধাৰ্মিক বুলি
গণিত হ'ল। ৮ কিন্তু আমি যদি খ্ৰীষ্টে সৈতে মৰিলোঁ, তেনেহলে তেওঁৰ
সৈতে যে জীয়াই উঠি জীৱনৰো ভাগী হ'ম, সেই বিষয়ে আমি বিশ্বাস
কৰোঁ৷ ৯ কিয়নো মৃত লোকৰ মাজৰ পৰা তোলা যি খ্ৰীষ্ট, তেওঁ পুণৰ
কেতিয়াও নমৰে আৰু মৃত্যুৱে যে তেওঁৰ ওপৰত পুণৰ প্ৰভুত্ব কৰিব
নোৱাৰে, ইয়াকো আমি জানো। ১০ কাৰণ তেওঁ যি মৃত্যুভোগ কৰিলে,
সেয়া পাপৰ উদ্দেশ্যে এবাৰেই ভোগ কৰিলে; কিন্তু তেওঁ যি জীৱন
ভোগ কৰিছে, সেই জীৱন ঈশ্বৰৰ উদ্দেশ্যে ভোগ কৰিছে। ১১ সেইদৰে
আপোনালোকেও নিজক পাপৰ উদ্দেশ্যে মৰা বুলি গণ্য কৰক, কিন্তু
ঈশ্বৰৰ উদ্দেশ্যে খ্ৰীষ্ট যীচুত জীয়াই থকা বুলি গণ্য কৰক। ১২ এতেকে
আপোনালোকে শৰীৰৰ অভিলাষৰ বশীভূত হ'বলৈ, আপোনালোকৰ
মৰ্ত্ত্য শৰীৰত পাপক ৰাজত্ব কৰিবলৈ নিদিব৷ ১৩ নিজ নিজ অঙ্গ-
প্ৰত্যঙ্গবোৰক অধাৰ্মিকতাৰ সঁজুলি স্বৰূপে পাপলৈ সমৰ্পণ নকৰিব;
কিন্তু নিজৰ জীৱনক ঈশ্বৰলৈ সমৰ্পণ কৰক। মৃত লোকৰ মাজৰ পৰা
জীৱিত ৰূপে আৰু নিজ নিজ অঙ্গ-প্ৰত্যঙ্গবোৰ ধাৰ্মিকতাৰ সঁজুলি স্বৰূপে
ঈশ্বৰলৈ সমৰ্পণ কৰক। ১৪ কিয়নো আপোনালোকৰ ওপৰত পাপক
প্ৰভুত্ব কৰিবলৈ নিদিব; কাৰণ আপোনালোক বিধানৰ অধীন নহয়,
কিন্তু অনুগ্ৰহৰহে অধীন হৈ আছে। ১৫ তেনেহলে কি? আমি বিধানৰ
অধীন নহয়, কিন্তু অনুগ্ৰহৰ অধীন হোৱাৰ কাৰণে পাপ কৰিম নে?

এনে নহওক। ১৬ মৃত্যুৰ কাৰণে পাপ নাইবা ধাৰ্মিকতাৰ কাৰণে
আজ্ঞা পালন, এই উভয়ৰ মাজত যাৰ ওচৰত আপোনালোকে নিজক
আজ্ঞা পালনৰ অৰ্থে দাস স্বৰূপে সমৰ্পণ কৰে, সেইটোৰ আজ্ঞা পালন
কৰি যে তাৰ দাস হয়, ইয়াক আপোনালোকে নাজানে নে? ১৭ কাৰণ
আগেয়ে আপোনালোক পাপৰ দাস আছিল, কিন্তু এতিয়া যি আদৰ্শৰ
শিক্ষালৈ সমৰ্পিত হ'ল আৰু অন্তৰেৰে সৈতে সেই বিষয় মানিবলৈ যে
আপোনালোক আজ্ঞাধীন হ'ল, তাৰ কাৰণে ঈশ্বৰৰ ধন্যবাদ হওক।
১৮ আপোনালোকক পাপৰ পৰা মুক্ত কৰা হ'ল, এতিয়া আপোনালোক
ধাৰ্মিকতাৰ দাস। ১৯ আপোনালোকৰ মাংসৰ দূৰ্বলতাৰ কাৰণে,
মই মানুহৰ দৰে কৈছোঁ৷ কিয়নো আপোনালোকে যেনেকৈ পুৰ্বতে
অধৰ্মৰ কাৰণে, নিজ নিজ অঙ্গ-প্ৰত্যঙ্গবোৰক অশুচিতা আৰু অধৰ্ম
অধীনত সমৰ্পণ কৰিছিল, তেনেকৈ এতিয়া পবিত্ৰতা লাভৰ কাৰণে,
নিজ নিজ অঙ্গ-প্ৰত্যঙ্গবোৰক দাস স্বৰূপে ধাৰ্মিকতাৰ অধীনত সমৰ্পণ
কৰক। ২০ কাৰণ যেতিয়া আপোনালোক পাপৰ দাস আছিল, তেতিয়া
ধাৰ্মিকতাৰ সম্বন্ধে স্বাধীন আছিল। ২১ তেনেহলে যি যি বিষয়ত এতিয়া
আপোনালোকে লাজ পাই আছে, তেতিয়া সেইবোৰত আপোনালোকৰ
ফল কি আছিল? কিয়নো সেইবোৰৰ পৰিণাম আছিল মৃত্যু। ২২
কিন্তু এতিয়া আপোনালোক পাপৰ পৰা মুক্ত হৈ ঈশ্বৰৰ দাস হোৱাত,
আপোনালোকে পবিত্ৰতা লাভৰ ফল পাইছে; আৰু ইয়াৰ পৰিণাম
অনন্ত জীৱন। **(aiōnios g166)** ২৩ কিয়নো পাপৰ বেচ মৃত্যু; কিন্তু
আমাৰ প্ৰভু খ্ৰীষ্ট যীচুৰ দ্বাৰাই ঈশ্বৰে দিয়া বিনামূলীয়া দান অনন্ত
জীৱন। **(aiōnios g166)**

**৭** হে ভাই সকল, মানুহ যিমান কাল জীয়াই থাকে, সিমান আয়ুস
কাললৈহে যে বিধানে তাৰ ওপৰত প্ৰভুত্ব কৰে, ইয়াক আপোনালোকে
নাজানে নেকি? যি সকলে বিধান জানে, মই সেই বিধান জনা সকলক
কৈছোঁ ২ কাৰণ সধৰা স্ত্ৰী, জীয়াই থকা স্বামীৰে সৈতে বিধানেৰে
বন্ধা, কিন্তু স্বামীৰ মৃত্যু হ'লে তেওঁৰ স্বামীৰ বিধানৰ পৰা মুক্ত হয়।
৩ এতেকে তেওঁৰ স্বামী জীয়াই থাকোতেই যদি তেওঁ আন পুৰুষৰ
সৈতে সহবাস কৰে, তেতিয়া তেওঁক ব্যভিচাৰীণী বোলা যায়৷ কিন্তু

স্বামীৰ মৃত্যু হ’লে তেওঁ বিধানৰ পৰা মুক্ত হয়, পাছত আন পুৰুষৰ
হ’লেও, তেওঁ ব্যাভিচাৰীণী নহয়। ৪ সেইদৰে, হে মোৰ ভাই সকল,
আমি যেন ঈশ্বৰলৈ ফল উৎপন্ন কৰোঁ, এই কাৰণে আপোনালোকো
আন এজনৰ, অৰ্থাৎ মৃত লোকৰ মাজৰ পৰা উত্থিত কৰোঁতা জনৰ
হ’বলৈ, খ্ৰীষ্টৰ শৰীৰৰ যোগেদি বিধানৰ সম্বন্ধে মৃত হ’ল। ৫ কিয়নো
যেতিয়া আমি মাংসৰ বশত আছিলোঁ, তেতিয়া মৃত্যুলৈ ফল উৎপন্ন
কৰিবলৈ, বিধানৰ যোগেদি হোৱা পাপৰ অভিলাষবোৰৰ বাবে আমাৰ
অঙ্গ-প্ৰত্যঙ্গবোৰে নিজ নিজ কাৰ্য সাধন কৰিলে। ৬ কিন্তু এতিয়া
আমি বিধানৰ পৰা মুক্ত হ’লো; যিহতে বন্ধ আছিলোঁ, তাৰ সম্বন্ধে
আমি মৃত হ’লো৷ গতিকে এতিয়া আমি আখৰৰ লিখনিৰ প্ৰাচীনতাৰে
নহয়, কিন্তু আত্মাৰ নতুনতাৰে সেৱাকৰ্ম কৰোঁ। ৭ তেনেহলে আমি কি
ক’ম? বিধানেই পাপ নে? এনে নহওক। কিন্তু পাপনো কি, সেই মই
বিষয়ে আগতে নাজানিছিলোঁ; কেৱল বিধানৰ যোগেদিহে জানিবলৈ
পালোঁ৷ “কিয়নো তুমি লোভ নকৰিবা,” বিধানে ইয়াক নোকোৱা হ’লে,
লোভ নো কি সেই বিষয়ে নাজানিলোহেঁতেন৷ ৮ কিন্তু পাপে ছল পাই,
সেই আজ্ঞাৰ যোগেদি মোৰ অন্তৰত লোভ আদি সকলো অভিলাষ
সাধন কৰিলে, কিয়নো বিধান অবিহনে পাপ মৃত। ৯ পুৰ্বতে বিধান
অবিহনে মই জীয়াই আছিলোঁ, কিন্তু পাছত সেই আজ্ঞা অহাত, পাপ
পুনৰায় জীয়াই উঠিল আৰু মই মৰিলোঁ। ১০ দেখা গ’ল যে, জীৱনৰ
কাৰণে দিয়া যি আজ্ঞা, সেই আজ্ঞা মোৰ বাবে মৃত্যুজনক হ’ল৷ ১১
কিয়নো পাপে ছল পাই, সেই আজ্ঞাৰ যোগেদি মোক ভুলায় আৰু
তাৰ দ্বাৰাই ই মোক বধ কৰিলে। ১২ এই কাৰণে বিধান পবিত্ৰ,
আজ্ঞাও পবিত্ৰ, ন্যায়পৰায়ণ আৰু উত্তম। ১৩ তেনেহলে যি উত্তম,
সেয়ে মোলৈ মৃত্যুজনক হ’ল নে? এনে নহওক। কিন্তু যি উত্তম, তাৰ
দ্বাৰাই পাপে মোৰ জীৱনত মৃত্যু সাধন কৰাৰ যোগেদি সেয়ে পাপ বুলি
প্ৰকাশ পায় আৰু আজ্ঞাৰ দ্বাৰাই পাপ যেন অতিশয় পাপ পুৰ্ণ হয়,
এই কাৰণে পাপহে মোৰ বাবে মৃত্যুজনক হ’ল। ১৪ কিয়নো বিধান
যে আত্মিক, সেই বিষয়ে আমি জানো, কিন্তু মই হ’লে মাংসিক৷ মই
পাপৰ অধীনলৈ বিক্ৰীত হ’লো। ১৫ কাৰণ মই যি সাধন কৰোঁ, সেই

বিষয়ে মই আচলতে নাজানো৷ কিয়নো মোৰ ইচ্ছা অনুসাৰে আচৰণ
নকৰোঁ; কিন্তু যিহকে ঘিণাও, তাকেই কৰোঁ। ১৬ কিন্তু মোৰ ইচ্ছাৰ
দৰে যদি নকৰোঁ, তেনেহলে বিধান যে উত্তম, ইয়াক স্বীকাৰ কৰোঁ।
১৭ কিন্তু এতিয়া মই নহয়, মোৰ জীৱনত নিবাস কৰা পাপেহে তাক
সাধন কৰিছে। ১৮ কিয়নো মই জানো যে, মোৰ জীৱনত, অৰ্থাৎ মোৰ
মাংসত উত্তমতা বাস নকৰে৷ ইচ্ছা কৰিবলৈ মই সমৰ্থ, কিন্তু উত্তমতা
সাধন কৰিবলৈ হ'লে নোৱাৰো। ১৯ কিয়নো যি উত্তমতালৈ ইচ্ছা হয়,
তাক নকৰোঁ; কিন্তু যি মন্দলৈ মোৰ ইচ্ছা নাই, তাকেই কৰোঁ। ২০
কিন্তু মোৰ ইচ্ছাৰ দৰে যদি মই নকৰোঁ, তেনেহলে মই নহয়, মোৰ
জীৱনত নিবাস কৰা পাপেহে তাক সাধন কৰিছে। ২১ এতেকে বিচাৰি
পাইছোঁ যে, যেতিয়া উত্তম কৰ্ম কৰিবলৈ মোৰ ইচ্ছা হয়, তেতিয়া মন্দ
মোৰ ওচৰত থাকে, এনে এক ধাৰণা মোৰ হৈছে। ২২ কিয়নো মই
আন্তৰিক পুৰুষৰ দৰে ঈশ্বৰৰ বিধানত সন্তুষ্ট হৈছোঁ; ২৩ কিন্তু মোৰ
মনৰ বিধানৰ বিৰুদ্ধে যুদ্ধ কৰা আৰু মোৰ অঙ্গ-প্ৰত্যঙ্গবোৰত থকা
পাপৰ বিধানৰ অধীনত মোক বন্দী কৰা, এনে আন এক ধাৰণা মোৰ
অঙ্গ-প্ৰত্যঙ্গবোৰত দেখো। ২৪ হায়, হায়, মই কেনে দূৰ্ভগীয়া মানুহ!
এই মৃত্যুৰ দেহৰ পৰা মোক কোনে নিস্তাৰ কৰিব? ২৫ আমাৰ প্ৰভু
যীচু খ্ৰীষ্টৰ যোগেদি মই ঈশ্বৰৰ ধন্যবাদ কৰোঁ। এতেকে এহাতে মই
আপোন মনেৰে ঈশ্বৰৰ বিধানৰ, কিন্তু আনহাতে মাংসেৰে পাপৰ
বিধানৰ সেৱাকৰ্ম কৰোঁ।

৮ এই কাৰণে এতিয়া খ্ৰীষ্ট যীচুত থকা সকলৰ কোনো দণ্ডাজ্ঞা নাই।
২ কিয়নো খ্ৰীষ্ট যীচুত মোৰ জীৱনক আত্মাৰ বিধানত পাপ আৰু মৃত্যুৰ
বিধানৰ পৰা মুক্ত কৰিলে। ৩ বিধান মাংসৰ কাৰণে দূৰ্বল হোৱাত যি
কৰিব নোৱাৰিলে, সেয়েহে ঈশ্বৰে নিজৰ পুত্ৰক পাপৰ অৰ্থে উৎসৰ্গিত
হ'বলৈ, পাপময় মাংসৰ সাদৃশ্যেৰে পঠিয়ালে, আৰু মাংসত পাপৰ
দণ্ডাজ্ঞা দিলে৷ ৪ তেওঁ সেইটোৱে কৰিলে, যাতে আমাৰ জীৱনত
যেন বিধানৰ বিধান সিদ্ধ কৰা হয়; সেয়েহে আমি মাংসিকৰ দৰে
নহয়, কিন্তু আত্মা অনুসাৰে চলোঁ আহক৷ ৫ কিয়নো মাংস অনুসাৰে
জীয়াই থকা সকলে মাংসিক বিষয় ভাবে; কিন্তু আত্মা অনুসাৰে

জীয়াই থকা সকলে আত্মিক বিষয় ভাবে। ৬ কাৰণ মাংসৰ ভাব হ'ল
মৃত্যু; কিন্তু আত্মাৰ ভাব হৈছে জীৱন আৰু শান্তি, ৭ কিয়নো মাংসৰ
ভাব ঈশ্বৰলৈ শত্রুতা; কাৰণ সেয়ে ঈশ্বৰৰ বিধানৰ বশীভূত নহয়
আৰু হ'বও নোৱাৰে৷ ৮ যি সকলে মাংসৰ বশত আছে, তেওঁলোকে
ঈশ্বৰক সন্তুষ্ট কৰিব নোৱাৰে। ৯ যিয়েই নহওক, আপোনালোক
মাংসৰ বশত নহয় কিন্তু আত্মাৰ বশতহে আছে, আৰু সেয়াই যদি
সত্য হয়, তেনেহলে ঈশ্বৰৰ আত্মা আপোনালোকৰ অন্তৰত বাস
কৰে। কিন্তু যি জনত খ্রীষ্টৰ আত্মা নাই, তেওঁ খ্রীষ্টৰ নহয়। ১০ যদি
খ্রীষ্ট আপোনালোকৰ জীৱনত থাকে, তেনেহলে পাপৰ কাৰণে এই
শৰীৰ মৰা; কিন্তু ধাৰ্মিকতাৰ বাবে আত্মাই জীৱন। ১১ যি জনে
খ্রীষ্ট যীচুক মৃত লোকৰ মাজৰ পৰা তুলিলে, তেওঁৰ আত্মা যদি
আপোনালোকৰ জীৱনত থাকে, তেনেহলে খ্রীষ্ট যীচুক মৃত লোকৰ
মাজৰ পৰা তোলা জনে আপোনালোকত নিবাস কৰা তেওঁৰ আত্মাৰ
যোগেদি, আপোনালোকৰ মৰ্ত্ত্য দেহকো জীয়াব। ১২ এতেকে হে ভাই
সকল, আমি মাংসৰ বশত জীয়াই থাকিবলৈ মাংসৰ ধৰুৱা নহওঁ। ১৩
কাৰণ আপোনালোকে যদি মাংসৰ বশত জীয়াই থাকে, তেনেহলে
আপোনালোক যেনে হ'লেও মৰিব; কিন্তু আত্মাৰ দ্বাৰাই যদি শৰীৰৰ
কৰ্মবোৰ বধ কৰা হয়, তেনেহলে আপোনালোক জীৱ। ১৪ কিয়নো
যিমান লোক ঈশ্বৰৰ আত্মাৰ দ্বাৰা চালিত হয়, সেই সকলোৱে ঈশ্বৰৰ
সন্তান। ১৫ সেয়েহে আপোনালোকে ভয় কৰিবলৈ পুনৰায় দাসত্বৰ
আত্মা পাইছে, এনে নহয়; কিন্তু যি আত্মাৰ দ্বাৰা আমি আব্বা, পিতৃ
বুলি মাতোঁ, এনে তোলনীয়া পুত্ৰৰ আত্মা পালে। ১৬ আমি যে ঈশ্বৰৰ
সন্তান, এই বিষয়ে পবিত্ৰ আত্মাই নিজে আমাৰ আত্মাৰ সৈতে সাক্ষ্য
দিয়ে। ১৭ আমি যদি সন্তান হওঁ, তেনেহলে উত্তৰাধিকাৰীও হওঁ।
খ্রীষ্টে সৈতে মহিমান্বিত হ'বলৈ যদিহে আমি তেৱেঁ সৈতে দুখভোগ
কৰোঁ, তেনেহলে আমি ঈশ্বৰৰ উত্তৰাধিকাৰী আৰু খ্রীষ্টে সৈতেও
উত্তৰাধিকাৰী হওঁ। ১৮ কিয়নো আমাৰ বাবে যি প্রতাপ প্রকাশিত
হ'ব, তাৰে সৈতে বৰ্ত্তমান সময়ৰ দুখৰ তুলনা কৰিবলৈ মই কোনো
বিষয় যোগ্য নহয় বুলি গণ্য কৰোঁ। ১৯ কাৰণ ঈশ্বৰৰ সন্তান সকল

প্ৰকাশিত হোৱালৈ, সৃষ্টিৰ আশাই বাট চাই আছে। ২০ কাৰণ সৃষ্টি
খন যে আপোন ইচ্ছাৰে অসাৰতাৰ বশীকৃত হ’ল, এনে নহয়; কিন্তু
বশকৰ্ত্তাৰ কাৰণেহে হ’ল; সেয়ে এই আশাৰে হ’ল যে, ২১ সৃষ্টিখনে
নিজেও যেন ক্ষয়মূলক দাসত্বৰ পৰা মুক্ত হৈ ঈশ্বৰৰ সন্তান সকলৰ
প্ৰতাপ মূলক মুক্তি পাব। ২২ কিয়নো এতিয়াও গোটেই সৃষ্টিয়ে প্ৰসৱ
বেদনাৰ দৰে দুখ পাই একেলগে কেঁকাই আছে, ইয়াক আমি জানো।
২৩ অকল সেয়ে নহয়, আত্মাৰ প্ৰথম ফল পোৱা যি আমি, আমিও
তোলনীয়া পুত্ৰৰ বাবলৈ বাট চাই, আমাৰ শৰীৰৰ মুক্তিৰ অপেক্ষাৰে
অন্তৰত কেঁকাই আছোঁ। ২৪ কিয়নো আমি আশাৰেহে পৰিত্ৰাণ পালোঁ;
কিন্তু দেখাত যি আশা, সেয়েই আশা নহয়; কাৰণ যিহক দেখা যায়,
তালৈ কোনে আশা কৰে? ২৫ কিন্তু আমি যিহক দেখা নাই, তালৈ
যদি আশা কৰোঁ, তেনেহলে ধৈৰ্যৰেহে তালৈ বাট চাই থাকোঁ। ২৬
সেই একেদৰে আত্মায়ো আমাৰ দূৰ্বলতাত উপকাৰ কৰে৷ কাৰণ,
উচিত মতে কি প্ৰাৰ্থনা কৰিব লাগে, সেই বিষয়ে আমি নাজানো; কিন্তু
আত্মাই নিজে আমাৰ বাবে অনিৰ্ব্বচনীয় কেঁকনিৰে নিবেদন কৰে। ২৭
আত্মাৰ ভাব কি, সেই বিষয়ে অন্তৰ্য্যামী ঈশ্বৰে জানে, কাৰণ ঈশ্বৰৰ
ইচ্ছা অনুসৰি, তেওঁ পবিত্ৰ লোকৰ বাবে নিবেদন কৰে। ২৮ আমি
জানো যে, যি সকলে ঈশ্বৰক প্ৰেম কৰে, সেই সকল তেওঁৰ অভিপ্ৰায়
অনুসাৰে আমন্ত্ৰিত, তেওঁলোকৰ বাবে তেওঁ মঙ্গলৰ অৰ্থে সকলো
উত্তম কাৰ্য একেলগে কৰিছে। ২৯ কিয়নো ঈশ্বৰৰ পুত্ৰ যেন অনেক
ভাই সকলৰ মাজত প্ৰথমে জন্মা হয়, এই কাৰণে ঈশ্বৰে যি সকলক
আগেয়ে জানিলে, তেওঁলোকক তেওঁৰ সেই পুত্ৰৰ প্ৰতিমূৰ্তিৰ অনুৰূপ
হ’বলৈ, আগেয়ে নিৰূপণো কৰিলে; ৩০ আৰু যি সকলক আগেয়ে
নিৰূপণ কৰিলে, তেওঁলোকক আমন্ত্ৰণো কৰিলে৷ যি সকলক আমন্ত্ৰণ
কৰিলে, তেওঁলোকক ধাৰ্মিক বুলি গণিত কৰিলে; আৰু যি সকলক
ধাৰ্মিক বুলি গণিত কৰিলে, তেওঁলোকক মহিমান্বিতো কৰিলে। ৩১
তেতিয়াহলে এইবোৰ কথাত আমি কি ক’ম? যদি ঈশ্বৰ আমাৰ সপক্ষ
হয়, তেনেহলে আমাৰ বিপক্ষ কোন হ’ব পাৰে? ৩২ যি জনে নিজৰ
পুত্ৰকো মৰম নকৰি, আমাৰ আটাইৰে কাৰণে তেওঁক শোধাই দিলে,

সেই জনে আমাক অনুগ্ৰহ কৰি তেওঁৰ সৈতে সকলো নিদিব নে?
৩৩ ঈশ্বৰৰ মনোনীত সকলৰ বিৰুদ্ধে কোনে অপবাদ দিব? ঈশ্বৰেহে
ধাৰ্মিক বুলি গণিত কৰোঁতা। ৩৪ দণ্ডাজ্ঞা দিওঁতা নো কোন? যি জন
মৰিল, এনে কি, মৃত লোকৰ মাজৰ পৰা তোলাও হ'ল, সেই জন
খ্ৰীষ্ট যীচু; তেওঁ ঈশ্বৰৰ সোঁফালে থাকি, আমাৰ কাৰণে নিবেদনো
কৰি আছে। ৩৫ খ্ৰীষ্টৰ প্ৰেমৰ পৰা কোনে আমাক বিচ্ছিন্ন কৰিব
পাৰে? ক্লেশ বা সঙ্কট, তাড়না বা আকাল, বস্ত্ৰহীনতা বা প্ৰাণ সংশয়
বা তৰোৱাল, এইবোৰে পাৰে নে? ৩৬ এই বিষয়ে লিখাও আছে,
"আমি তোমাৰ কাৰণে ওৰে দিনটো হত হ'ব লাগিছোঁ৷ কাটিবলৈ নিয়া
মেৰৰ দৰে আমি গণিত হ'লোঁ।" ৩৭ তথাপি আমাক প্ৰেম কৰা জনৰ
যোগেদি, এই সকলো কথাত আমি জয়তকৈয়ো জয়যুক্ত। ৩৮ কিয়নো
মোৰ এনে দৃঢ় বিশ্বাস আছে যে, তাৰ পৰা মৃত্যু বা জীৱন, স্বৰ্গৰ দূত
বা শাসনকৰ্তা, বৰ্ত্তমান বা ভৱিষ্যত বিষয় বা পৰাক্ৰম, ৩৯ ওপৰ বা
তল বা আন কোনো সৃষ্ট বস্তুৱেই আমাক প্ৰভু খ্ৰীষ্ট যীচুত থকা ঈশ্বৰৰ
প্ৰেমৰ পৰা বিচ্ছিন্ন কৰিব নোৱাৰে।

**৯** মই খ্ৰীষ্টৰ অধীনত সত্য কওঁ, মিছা নকওঁ, আৰু মোৰ বিবেকেও
পবিত্ৰ আত্মাৰ অধীনত মোৰ পক্ষে সাক্ষ্য দিছে যে, ২ মোৰ হৃদয়ত
অতি দুখ আৰু নিৰন্তৰ যাতনা হৈছে। ৩ কিয়নো যি সকল শৰীৰৰ
সম্বন্ধে মোৰ স্বজাতীয়, মোৰ সেই ভাই সকলৰ কাৰণে মই নিজেই
খ্ৰীষ্টৰ পৰা শাপগ্ৰস্ত হ'বলৈ ইচ্ছা কৰিব পাৰিলোহেঁতেন। ৪ তেওঁলোক
ইস্ৰায়েলীয়৷ তেওঁলোক তোলনীয়া পুত্ৰ, ঐশ্বৰ্য, নানা ধৰ্ম নিয়ম, বিধান-
শাস্ত্ৰ, আৰাধনা, আৰু প্ৰতিজ্ঞা সমূহ, তেওঁলোকৰ হয়৷ ৫ ওপৰ-পুৰুষ
সকলো তেওঁলোকৰেই; আৰু শৰীৰৰ সম্বন্ধে খ্ৰীষ্টও তেওঁলোকৰ পৰাই
হ'ল৷ যি জন সৰ্ব্বোপৰি, সেই ঈশ্বৰ যুগে যুগে ধন্য। আমেন। **(aiōn
g165)** ৬ কিন্তু ঈশ্বৰৰ বাক্য যে বিফল হৈ পৰিল, এনে নহয়। কিয়নো
ইস্ৰায়েলৰ পৰা হোৱা সকলোৱে যে ইস্ৰায়েল, এনে নহয়৷ ৭ তেওঁলোক
অব্ৰাহামৰ বংশ হোৱাত, সকলো যে তেওঁৰ সন্তান, সেয়াও নহয়; কিন্তু
"ইচহাকৰ পৰাহে তোমাৰ বংশ বিখ্যাত হ'ব৷" ৮ এই শাস্ত্ৰীয় বচনৰ অৰ্থ
হ'ল; শৰীৰৰ যি সন্তান, তেওঁলোক ঈশ্বৰৰ সন্তান নহয়; কিন্তু প্ৰতিজ্ঞাৰ

যি সন্তান, তেওঁলোকহে বংশ বুলি গণিত হয়৷ ৯ কিয়নো প্ৰতিজ্ঞাৰ
বাক্য এই: এনেকুৱা সময়ত মই আহিম, তেতিয়া চাৰাৰ এটি পুত্ৰ
হ'ব। ১০ অকল সেয়ে নহয়; কিন্তু ৰিবেকাও এজনৰ পৰা, আমাৰ পিতৃ
ইচহাকৰ পৰা গৰ্ভৱতী হোৱাত, ১১ সন্তান নৌ ওপজোঁতেই আৰু ভাল
বা বেয়া একো নকৰোঁতেই, কৰ্মৰ কাৰণে নহয়, কিন্তু আমন্ত্ৰণকাৰীৰ
ইচ্ছাৰ কাৰণে, ঈশ্বৰৰ মনোনীতৰ দৰে হোৱা অভিপ্ৰায়ত থিৰে
থাকিবলৈ, ১২ তেওঁক কোৱা গৈছিল, বোলে, “বৰটোৱে সৰুটোৰ
সেৱাকৰ্ম কৰিব।” ১৩ এই বিষয়ে লিখাও আছে: “মই যাকোবক
প্ৰেম কৰিলোঁ, কিন্তু এচৌক ঘিণ কৰিলোঁ।” ১৪ তেনেহলে আমি কি
ক'ম? ঈশ্বৰত অধাৰ্মিকতা আছে নে? এনে নহওক। ১৫ কিয়নো তেওঁ
মোচিক কৈছিল, “মই যি জনক দয়া কৰোঁ, তেওঁকেই দয়া কৰিম; আৰু
যি জনক কৃপা কৰোঁ, তেওঁকেই কৃপা কৰিম।” ১৬ এতেকে এয়ে, ইচ্ছা
কৰা বা দৌৰ মৰা জনৰ পৰা নহয়, কিন্তু দয়াকাৰী ঈশ্বৰৰ পৰাহে হয়।
১৭ কিয়নো ধৰ্মশাস্ত্ৰই ফৌৰণকো কৈছে, “তোমাত মোৰ পৰাক্ৰম যেন
দেখুৱাম, তাৰ বাবে আৰু গোটেই জগতত মোৰ নাম প্ৰচাৰিত হ'বৰ
বাবে, মই তোমাক তুলিলোঁ।” ১৮ এতেকে যি জনৰ বাবে তেওঁৰ
ইচ্ছা হয়, তেওঁকেই তেওঁ দয়া কৰে আৰু যি জনৰ বাবে তেওঁৰ ইচ্ছা
হয়, তেওঁকেই তেওঁ কঠিন কৰে। ১৯ তেতিয়া আপুনি মোক ক'ব,
বোলে, “তেনেহলে তেওঁ আকৌ দোষ ধৰে কিয়? কিয়নো তেওঁৰ
ইচ্ছাৰ প্ৰতিৰোধ কোনে কৰিলে?” ২০ হে অবাধ্য লোক, ঈশ্বৰক
প্ৰত্যুত্তৰ কৰা তুমি নো কোন? নিৰ্ম্মিত বস্তুৱে, “তুমি মোক এনেকুৱা
কিয় কৰিলা” বুলি নিৰ্ম্মাণকৰ্ত্তাক ক'ব নে? ২১ একে লদা মাটিৰে
সমাদৰলৈ এটা, অনাদৰলৈ এটা, এনে দুবিধ পাত্ৰ বনাবলৈ, মাটিৰ
ওপৰত কুমাৰৰ ক্ষমতা নাই নে? ২২ ঈশ্বৰে, নিজ ক্ৰোধ দেখুৱাবৰ
বাবে আৰু পৰাক্ৰম জনাবৰ ইচ্ছাৰে যদি বিনাশৰ কাৰণে যুগুত হোৱা
ক্ৰোধৰ পাত্ৰ সকলক অধিক চিৰসহিষ্ণুতাৰে সহন কৰিলে, ২৩ আৰু যি
সকলক প্ৰতাপৰ কাৰণে তেওঁ আগেয়ে প্ৰস্তুত কৰিলে, সেই অনুগ্ৰহৰ
পাত্ৰবোৰত নিজ প্ৰতাপৰূপ ধনৰ বিষয় জনোৱাৰ অভিপ্ৰায়েৰে দয়াও
সাধন কৰিলে, ২৪ তেওঁ আমাক তেনেকুৱা দয়াৰ পাত্ৰ বুলি, কেৱল

ইহুদী সকলৰ মাজৰ পৰা নহয়, কিন্তু অনা-ইহুদী সকলৰ মাজৰ পৰাও
আমন্ত্রণ কৰিলে। ২৫ সেইদৰে তেওঁ হোচেয়াৰ পুস্তকতো কৈছে: "যি
লোক মোৰ নহয়, তেওঁক মোৰ লোক বুলি, আৰু অপ্রিয় জনীক প্রেমৰ
বুলি মাতিম। ২৬ আৰু 'তোমালোক মোৰ লোক নোহোৱা,' এই কথা যি
ঠাইত তেওঁলোকক কোৱা হৈছিল, তাত তেওঁলোক জীৱনময় ঈশ্বৰৰ
সন্তান বুলি প্রখ্যাত হ'ব।" ২৭ কিন্তু ইস্রায়েলৰ বিষয়ে যিচয়াই এই কথা
ঘোষণা কৰে, "ইস্রায়েলৰ সন্তান সকলৰ সংখ্যা যদিও সমুদ্রৰ বালিৰ
নিচিনা হয়, তথাপি অৱশিষ্ট ভাগেহে পৰিত্রাণ পাব৷ ২৮ কিয়নো প্রভুৱে
তেওঁৰ বাক্য সংক্ষিপ্ত আৰু সমাপ্ত কৰি, পৃথিৱীত সিদ্ধ কৰিব। ২৯ এই
বিষয়ে যিচয়া আগেয়ে কৈছিল, "বাহিনী সমূহৰ প্রভুৱে আমাৰ বাবে
সঁচ নৰখা হ'লে, আমি চদোমৰ নিচিনা হ'লোঁহেঁতেন আৰু ঘমোৰা
নগৰৰ তুল্য হ'লোঁহেঁতেন। ৩০ তেনেহলে আমি কি ক'ম? অনা-ইহুদী
সকলে ধাৰ্মিকতালৈ কাৰ্য নকৰিও, ধাৰ্মিকতা পালে; ৩১ কিন্তু ইস্রায়েল
লোকে ধাৰ্মিকতাৰ বিধানলৈ কাৰ্য কৰিও, সেই বিধান নাপালে। ৩২
কি কাৰণে? কিয়নো তেওঁলোকে বিশ্বাসৰ দ্বাৰাই নহয়, কৰ্মৰ দ্বাৰাইহে
পোৱা যায় বুলি কাৰ্য কৰিলে। উজুটি খুউৱা শিলত তেওঁলোকে উজুটি
খালে; ৩৩ এই বিষয়ে লিখাও আছে, "চোৱা, মই চিয়োনত উজুটি
খুউৱা শিল, অৰ্থাৎ বিঘ্নজনক শিল থ'ম। তেওঁত বিশ্বাস কৰা জন
লাজত নপৰিব।"

**১০** হে ভাই সকল, তেওঁলোকৰ বাবে মোৰ হৃদয়ৰ বাঞ্ছা আৰু ঈশ্বৰৰ
আগত জনোৱা প্রার্থনা এই যে, তেওঁলোকে যেন পৰিত্রাণ পায়। ২
ঈশ্বৰলৈ তেওঁলোকৰ আগ্রহ আছে বুলি মই তেওঁলোকৰ পক্ষে সাক্ষ্য
দিছোঁ; কিন্তু সেই আগ্রহ জ্ঞান অনুসাৰে নহয়। ৩ কাৰণ তেওঁলোকে
ঈশ্বৰৰ ধাৰ্মিকতা নাজানি, নিজৰ ধাৰ্মিকতা স্থাপন কৰিবলৈ বিচাৰি,
ঈশ্বৰৰ ধাৰ্মিকতাৰ বশীভূত নহ'ল। ৪ কিয়নো ধাৰ্মিকতাৰ কাৰণে
বিশ্বাস কৰা প্রত্যেক জনৰ বাবে খ্রীষ্ট হ'ল বিধানৰ সম্পূর্ণতা৷ ৫ কাৰণ
মোচিয়ে লিখিছে যে, যি মানুহে ব্যৱস্থামূলক ধাৰ্মিকতা পালন কৰে,
তেওঁহে এই ধাৰ্মিকতাৰ দ্বাৰা জীয়াই থাকিব। ৬ কিন্তু বিশ্বাসমূলক
ধাৰ্মিকতাই এইদৰে কয়, "তুমি নিজ হৃদয়ত নক'বা যে, স্বৰ্গলৈ

কোন উঠিব? অৰ্থাৎ খ্ৰীষ্টক নমাই আনিবলৈ ৭ বা, অগাধ ঠাইলৈ
কোন নামিব? অৰ্থাৎ মৃত লোকৰ মাজৰ পৰা খ্ৰীষ্টক তুলি আনিবলৈ।”
(Abyssos g12) ৮ কিন্তু ই কি কয়? “সেই বাক্য তোমাৰ ওচৰত, তোমাৰ
মুখত আৰু তোমাৰ হৃদয়তে আছে।” সেয়ে আমি ঘোষণা কৰা বিশ্বাসৰ
বাক্য। ৯ কিয়নো আপুনি যদি নিজ মুখেৰে যীচুক প্ৰভু বুলি স্বীকাৰ কৰে
আৰু ঈশ্বৰে যে তেওঁক মৃত লোকৰ মাজৰ পৰা তুলিলে, ইয়াক যদি
হৃদয়েৰে বিশ্বাস কৰে, তেনেহলে পৰিত্ৰাণ পাব। ১০ কাৰণ ধাৰ্মিকতাৰ
কাৰণে হৃদয়েৰে বিশ্বাস কৰা হয়; আৰু পৰিত্ৰাণৰ কাৰণে মুখেৰে
স্বীকাৰ কৰা হয়। ১১ কিয়নো ধৰ্মশাস্ত্ৰৰ বচনে কৈছে, “যি কোনোৱে
তেওঁত বিশ্বাস কৰে, তেওঁ লাজত নপৰিব।” ১২ কাৰণ ইহুদী বা গ্ৰীক
ইয়াৰ মাজত একো প্ৰভেদ নাই; কিয়নো সকলোৰে একমাত্ৰ প্ৰভু
আছে; যিমান মানুহে তেওঁক বিশ্বাস কৰে, তেওঁলোকৰ বাবে তেওঁ
ধনৱান। ১৩ কাৰণ যি কোনোৱে প্ৰভুৰ নামেৰে প্ৰাৰ্থনা কৰে, তেওঁ
পৰিত্ৰাণ পাব। ১৪ এতেকে যি জনক তেওঁলোকে বিশ্বাস কৰা নাই,
সেই জনৰ আগত কেনেকৈ প্ৰাৰ্থনা কৰিব? আৰু যি জনৰ বিষয়ে শুনা
নাই, তেওঁত নো কেনেকৈ বিশ্বাস কৰিব? আৰু ঘোষণাকাৰী নহ’লে,
কেনেকৈ শুনিব? ১৫ আৰু পঠোৱা নহ’লে, কোনে ঘোষণা কৰিব?
এই বিষয়ে লিখাও আছে, “মঙ্গলৰ শুভবাৰ্তা প্ৰচাৰ কৰা সকলৰ ভৰি
কেনে সুন্দৰ!” ১৬ কিন্তু সকলোৱে যে শুভবাৰ্তা মানি ললে, এনে
নহয়; কাৰণ যিচয়ায়ো কৈছে, “হে প্ৰভু, আমি কোৱা বাৰ্তা কোনে
বিশ্বাস কৰিলে?” ১৭ এতেকে শ্ৰৱণৰ দ্বাৰাই বিশ্বাস আৰু খ্ৰীষ্টৰ বাক্যৰ
দ্বাৰাইহে শ্ৰৱণ হয়। ১৮ কিন্তু মই কওঁ, “তেওঁলোকে জানো শুনিবলৈ
পোৱা নাই? অৱশ্যে পালে৷ তেওঁলোকৰ স্বৰ গোটেই পৃথিৱীলৈ, আৰু
তেওঁলোকৰ কথা জগতৰ সীমালৈকে বিয়পি গ’ল।” ১৯ তদুপৰি মই
কওঁ, “ইস্ৰায়েলৰ লোকে জানো জানিবলৈ পোৱা নাই?” প্ৰথমতে
মোচিয়ে কৈছে, “নগণ্য জাতিৰ দ্বাৰাই তোমালোকৰ ঈৰ্ষা জন্মাম৷
নিৰ্ব্বোধ জাতিৰ দ্বাৰাই তোমালোকৰ খং তোলাম।” ২০ আৰু যিচয়ায়ো
অতি সাহস কৰি কৈছে, “যি সকলে মোক নিবিচাৰিলে, তেওঁলোকে
মোক পালে৷ যি বিলাকে মোৰ বিষয়ে নুসুধিলে, তেওঁলোকৰ আগত

মই প্ৰকাশিত হ'লোঁ।" ২১ কিন্তু ইস্ৰায়েলৰ লোকৰ বিষয়ে তেওঁ কৈছে,
"আজ্ঞা নমনা আৰু আপত্তি কৰা লোকলৈ মই ওৰে দিনটো হাত
মেলিলোঁ।"

**১১** তেনেহলে মই কওঁ, ঈশ্বৰে নিজ লোকক ত্যাগ কৰিলে নে?
এনে নহওক; কিয়নো ময়ো অব্ৰাহামৰ বংশৰ বিন্যামীন ফৈদৰ এজন
ইস্ৰায়েলীয়া। ২ ঈশ্বৰে আগেয়ে জনা নিজ লোকক ত্যাগ কৰা নাই।
নতুবা, এলিয়াৰ বিৱৰণত শাস্ত্ৰই কি কৈছে, সেই বিষয়ে আপোনালোকে
নাজানে নে? তেওঁ ইস্ৰায়েলৰ লোকৰ বিৰুদ্ধে ঈশ্বৰৰ আগত কিদৰে
নিবেদন কৰিছিল? তেওঁ কৈছিল, ৩ "হে প্ৰভু, লোক সকলে তোমাৰ
ভাববাদী সকলক বধ কৰিলে, তোমাৰ বেদিবোৰ খান্দি পেলালে;
আৰু এতিয়া মইহে অৱশিষ্ট আছোঁ; মোৰো প্ৰাণ তেওঁলোকে বিচাৰি
আছে"। ৪ কিন্তু উত্তৰত ঈশ্বৰে তেওঁক কি কয়? "বাল দেৱতাৰ আগত
আঁঠু নোলোৱাকৈ থকা এনে সাত হাজাৰ মানুহ মই নিজলৈ অৱশিষ্ট
ৰাখিলোঁ।" ৫ এইদৰে বৰ্ত্তমান কালতো অনুগ্ৰহেৰে মনোনীত কৰা
অৱশিষ্ট লোক আছে। ৬ কিন্তু সেয়ে যদি অনুগ্ৰহেৰে হয় তেনেহলে
কৰ্মেৰে নহয়; অন্যথা সেই অনুগ্ৰহ, অনুগ্ৰহ হৈ নাথাকে। ৭ তেনেহলে
কি? ইস্ৰায়েলে যি বিচাৰিছে, সেই পোৱা নাই, কিন্তু মনোনীত
লোকেহে তাক পালে; অৱশিষ্ট সকলক কঠিন কৰা হ'ল। ৮ এই বিষয়ে
এইদৰে লিখাও আছে, "ঈশ্বৰে সিঁহতক মূৰ্চ্ছাজনক আত্মা, আৰু যাতে
নেদেখিব, এনে চকু আৰু যাতে নুশুনিব, এনে কাণ দিলে; আজিলৈকে
তেওঁলোক সেইদৰেই আছে।" ৯ আৰু দায়ূদেও কৈছে, "সিঁহতৰ
ভোজনৰ মেজ, সিহঁতলৈ ফান্দ আৰু কুন্দা, বিঘিনি আৰু প্ৰতিফল স্বৰূপ
হওক; ১০ সিহঁতে নেদেখিবলৈ, সিহঁতৰ চকু অন্ধকাৰময় হওক৷"
আৰু আপুনি সিহঁতৰ পিঠি সদায় কুঁজী কৰক। ১১ তেনেহলে মই
কওঁ, তেওঁলোকে পৰিবলৈ উজুটি খালে নে? এনে নহওক। কিন্তু
তেওঁলোকৰ অন্তৰ্জ্বালা জন্মাবলৈ তেওঁলোকৰ অপৰাধৰ দ্বাৰাই অনা-
ইহুদী সকলৰ পৰিত্ৰাণ হ'ল। ১২ পাছত তেওঁলোকৰ অপৰাধেই যদি
জগতৰ ধন আৰু তেওঁলোকৰ হানিয়েই যদি অনা-ইহুদী সকলৰ ধন
হয়, তেনেহলে তেওঁলোকৰ পৰিপূৰ্ণতা তাতকৈ কিমান অধিক হ'ব?

১৩ এতিয়া অনা-ইহুদী লোক যি আপোনালোক, আপোনালোকক মই
কৈছোঁ। যেতিয়ালৈকে মই অনা-ইহুদী সকলৰ নিযুক্ত পাঁচনি হৈ আছোঁ,
মোৰ সেই পৰিচৰ্যা পদৰ গৌৰৱ কৰিছোঁ; ১৪ কিজানি কোনোমতে
মোৰ স্বজাতীয় সকলৰ অন্তৰ্জ্বালা জন্মাই, তেওঁলোকৰ কিছুমানৰ
পৰিত্ৰাণ কৰাব পাৰোঁ। ১৫ কিয়নো তেওঁলোকক ত্যাগ কৰাই যদি
জগতৰ মিলন হয়, তেনেহলে তেওঁলোকক গ্ৰহন কৰাই মৃত সকলৰ
জীৱন লাভৰ বাহিৰে আনকি হ'ব পাৰে? ১৬ যদি সনা পিঠাগুড়িৰ
প্ৰথম ভাগ পবিত্ৰ, তেনেহলে গোটেই লদাই পবিত্ৰ; আৰু যদি শিপা
পবিত্ৰ, তেনেহলে ডালবোৰো পবিত্ৰ। ১৭ কিন্তু কেতবোৰ ডাল যদি
ভাঙি পেলোৱা হ'ল আৰু আপুনি বনৰীয়া জলফাই গছ হৈয়ো, যদি
সেইবোৰৰ মাজত কলম স্বৰূপে লগোৱা হ'ল আৰু আপুনি জলফাইৰ
শিপাৰ ৰসৰ সহভাগী হ'ল, ১৮ তেনেহলে ডালবোৰৰ বিৰুদ্ধে দৰ্প
নকৰিব। যদিও দৰ্প কৰে, তথাপি আপুনি যে শিপাক ভৰণ-পোষণ
দি আছে, এনে নহয়, কিন্তু শিপাইহে আপোনাক ভৰণ-পোষণ দি
আছে৷ ১৯ ইয়াতে আপুনি ক'ব, "মোক কলম স্বৰূপে লগাবলৈহে
ডালবোৰ ভাঙি পেলোৱা হ'ল।" ২০ সঁচা, তেওঁলোকৰ অবিশ্বাসৰ
কাৰণে সেইবোৰ ভাঙি পেলোৱা হ'ল, আপুনি হ'লে বিশ্বাসৰ দ্বাৰাই
স্থিৰ হৈ আছে। উচ্চমনা নহ'ব, বৰং ভয় কৰক৷ ২১ কাৰণ যদি ঈশ্বৰে
স্বাভাৱিক ডালবোৰক মৰম নকৰিলে, তেনেহলে আপোনাকো মৰম
নকৰিব। ২২ এতেকে ঈশ্বৰৰ স্নেহ আৰু তীক্ষ্ণ ভাব চাওক৷ এফালে যি
সকল ইহুদী পৰিল, তেওঁলোকৰ বাবে হৈছে তীক্ষ্ণ ভাব; আনফালে
আপোনালোকৰ বাবে তেওঁৰ ভাব হৈছে স্নেহশীল৷ যদি আপুনি সেই
স্নেহ ভাবত থাকে, তেতিয়াহে; নহ'লে, আপুনিও কটা যাব। ২৩ যদি
সেইবোৰ অবিশ্বাসত নাথাকে, তেনেহলে সেইবোৰকো কলম স্বৰূপে
লগোৱা হ'ব; কিয়নো সেইবোৰক পুনৰ কলম স্বৰূপে লগাবলৈ ঈশ্বৰ
সক্ষম। ২৪ কাৰণ স্বাভাৱিক বনৰীয়া জলফাই গছৰ পৰা কটা যোৱা যি
আপুনি, আপুনি যদি স্বভাৱৰ বিপৰীতে উত্তম জলফাই গছত কলম
স্বৰূপে লগোৱা হ'ল, তেনেহলে স্বাভাৱিক ডাল যি সেইবোৰ, সেই
ইহুদী সকল কিমান অধিক নিঃসন্দেহে নিজৰ জলফাই গছত কলম

স্বৰূপে লগোৱা হ'ব। ২৫ কিয়নো, হে ভাই সকল, আপোনালোকে
যেন নিজকে জ্ঞানৱন্ত বুলি নামানে, এই কাৰণে, যেতিয়ালৈকে অনা-
ইহুদী লোকৰ পৰিপূৰ্ণতা নহয়, তেতিয়ালৈকে কিছু পৰিমাণে ইস্রায়েলী
লোকৰ যে কঠিনতা জন্মিল, এই নিগূঢ়-তত্ব আপোনালোকে নজনাকৈ
থকা মোৰ ইচ্ছা নাই। ২৬ এইদৰে সকলো ইস্রায়েলী লোকে পৰিত্ৰাণ
পাব; এই বিষয়ে লিখাও আছে: চিয়োনৰ পৰা উদ্ধাৰকৰ্ত্তা আহিব;
তেওঁ যাকোবৰ বংশৰ পৰা ভক্তি লঙ্ঘন দূৰ কৰিব; ২৭ আৰু এয়েই
তেওঁলোকে সৈতে মোৰ নিয়ম হ'ব, তেতিয়া মই তেওঁলোকৰ পাপ
গুচাম৷" ২৮ এফালে তেওঁলোক শুভবাৰ্তাৰ সম্বন্ধে আপোনালোকৰ
কাৰণে শত্ৰু; কিন্তু আনফালে ঈশ্বৰৰ মনোনীতৰ সম্বন্ধে তেওঁলোক
ওপৰ-পুৰুষ সকলৰ কাৰণে প্ৰিয়পাত্ৰ। ২৯ কিয়নো ঈশ্বৰৰ অনুগ্ৰহৰ
বৰ আৰু আমন্ত্ৰণ অপৰিৱৰ্তনীয়। ৩০ কাৰণ যেনেকৈ আপোনালোকে
আগেয়ে ঈশ্বৰৰ অবাধ্য আছিল, কিন্তু এতিয়া তেওঁলোকৰ অবাধ্যতাৰ
কাৰণে দয়া পালে, ৩১ তেনেকৈ এতিয়া এই ইহুদী সকলেও যেন
আপোনালোকৰ দয়া প্ৰাপ্তিৰ কাৰণে দয়া পায়, তাৰ বাবে তেওঁলোক
এতিয়া অবাধ্য হ'ল; ৩২ কিয়নো ঈশ্বৰে সকলোকে দয়া কৰিবৰ বাবে,
সকলোকে অবাধ্যতাত বন্ধ কৰিলে। **(eleēsē g1653)** ৩৩ ঈশ্বৰৰ জ্ঞান
আৰু বুদ্ধিৰূপ ধন কেনে গভীৰ! তেওঁৰ বিচাৰবোৰ বোধৰ কেনে অগম্য!
আৰু তেওঁৰ পথ অনুসন্ধান কৰা কেনে অসাধ্য! ৩৪ "কিয়নো প্ৰভুৰ মন
কোনে জানিলে? আৰু তেওঁৰ মন্ত্ৰণাকাৰীয়ে বা কোন হ'ল? ৩৫ নতুবা
কোনে ঈশ্বৰলৈ আগেয়ে দিলে যে, তাৰ বাবে তেওঁক প্ৰতিদান কৰিব
লাগে?" ৩৬ কিয়নো সকলো বস্তু তেওঁৰ পৰা, তেওঁৰ দ্বাৰাই আৰু
তেওঁৰ কাৰণেই হয়; তেওঁৰেই মহিমা চিৰকাল হওক। আমেন। **(aiōn
g165)**

**১২** এতেকে, হে ভাই সকল, ঈশ্বৰৰ সকলো দয়াৰ দ্বাৰাই মই
আপোনালোকক এই মিনতি কৰোঁ যে, আপোনালোকে নিজ নিজ
শৰীৰক ঈশ্বৰৰ গ্ৰহণীয়, জীৱিত, আৰু পবিত্ৰ বলি স্বৰূপে উৎসৰ্গ কৰক;
এয়েই আপোনালোকৰ যুক্তিসঙ্গত আৰাধনা। ২ আপোনালোক জগতৰ
অনুৰূপ নহ'ব; কিন্তু মন নতুন কৰাৰ যোগেদি ৰূপান্তৰিত হওক, তাতে

আপোনালোকে পৰীক্ষা কৰি জানি লওঁক, কোনটো উত্তম, গ্ৰহণীয়
আৰু সিদ্ধ, কিয়নো এয়ে ঈশ্বৰৰ ইচ্ছা৷ (aiōn g165) ৩ কিয়নো মোক
দিয়া অনুগ্ৰহৰ দ্বাৰাই মই আপোনালোকৰ প্ৰত্যেক জনক কওঁ যে,
উপযুক্ত বিবেচনাতকৈ কোনেও নিজকে বৰ বুলি বিবেচনা নকৰক;
কিন্তু ঈশ্বৰে যাক যি পৰিমাণে বিশ্বাস দিলে, তেওঁ সেই অনুসাৰে নিজৰ
বিষয়ে গভীৰ মনেৰে বিবেচনা কৰক। ৪ কাৰণ আমাৰ এই শৰীৰত
যেনেকৈ অনেক অঙ্গ-প্ৰত্যঙ্গ আছে, অথচ সেই সকলো অঙ্গ-প্ৰত্যঙ্গৰ
একে ৰূপৰ কাৰ্য নহয়, ৫ তেনেকৈ আমিও অনেক হৈ খ্ৰীষ্টত এক দেহ
হওঁ আৰু প্ৰতিজনে পৰস্পৰ অঙ্গ-প্ৰত্যঙ্গ হৈ আছোঁ। ৬ কিন্তু আমাক
দিয়া অনুগ্ৰহৰ দৰে, আমি পৃথক পৃথক অনুগ্ৰহৰ বৰ প্ৰাপ্ত হৈছোঁ৷ সেই
বৰ যদি ভাববাণী হয়, তেনেহলে বিশ্বাসৰ পৰিমাণেৰে সেয়া কওঁহক৷
৭ যদি পৰিচৰ্যাৰ বৰ হয়, তেনেহলে পৰিচৰ্যাতে থাকোহক; বা শিক্ষা
দিওঁতাই শিক্ষা দিয়া কাৰ্যত থাকোহক৷ ৮ উদগাওঁতাই উদগোৰা
কাৰ্যত থাকক; দান দিওঁতাই দানশীলতাৰে দান কৰক; শাসন কৰা
জনে যত্নেৰে শাসন কৰক; দয়া কৰা জনে হৰ্ষিত মনেৰে দয়া কৰক।
৯ প্ৰেম অকল্পিত হওক। যি মন্দ, তাক ঘিণ কৰক; যি উত্তম, তাত
আসক্ত হওক৷ ১০ ভাতৃ-প্ৰেমত পৰস্পৰ স্নেহশীল হওক; আৰু সমাদৰ
কৰা কথাত, ইজনে সিজনতকৈ আগ হওক৷ ১১ যত্নত এলেহুৱা নহ’ব;
আত্মাত উৎসাহী হওক; প্ৰভুৰ সেৱাকৰ্ম কৰক৷ ১২ আশাত আনন্দ
কৰক; ক্লেশত সহনীয় হওক; প্ৰাৰ্থনাত লাগি থাকক; ১৩ পবিত্ৰ লোক
সকলৰ অভাৱ দূৰ কৰা কথাত, তেওঁলোকৰ সহভাগী হওক; অতিথি-
সেৱাত আসক্ত হওক। ১৪ যি সকলে আপোনালোকক তাড়না কৰে,
তেওঁলোকক আশীৰ্বাদ কৰক; শাও নিদি আশীৰ্বাদ কৰক। ১৫ যি
সকলে আনন্দ কৰে, তেওঁলোকে সৈতে আনন্দ কৰক; যি সকলে
ক্ৰন্দন কৰে, তেওঁলোকে সৈতে ক্ৰন্দন কৰক। ১৬ আপোনালোকৰ
পৰস্পৰৰ ভাব একে হওক। বৰ বৰ বিষয়বোৰ চিন্তা নকৰি, সামান্য
লোকৰ দৰে চলক৷ নিজৰ নিজৰ মনত জ্ঞানী নহব। ১৭ অপকাৰৰ
সলনি কাৰো অপকাৰ নকৰিব৷ সকলো মানুহে দেখাত যি উত্তম, সেই
উত্তমলৈ চিন্তা কৰক৷ ১৮ যদি হ’ব পাৰে, তেনেহলে আপোনালোকৰ

সাধ্য অনুসাৰে সকলো মানুহৰ সৈতে শান্তিৰে থাকক। ১৯ হে প্ৰিয়
সকল, আপোনালোকে অন্যায়ৰ প্ৰতিকাৰ নকৰিব, কিন্তু ঈশ্বৰৰ
ক্ৰোধলৈ ঠাই থ'ব; কিয়নো এনেদৰে লিখা আছে, প্ৰভুৱে কৈছে,
"প্ৰতিকাৰ কৰা মোৰ কৰ্ম; মইহে প্ৰতিফল দিম।" ২০ "কিন্তু যদি
তোমাৰ শত্ৰুৰ ভোক লাগে, তেনেহলে তেওঁক ভোজন কৰোঁৱা; যদি
তেওঁৰ পিয়াহ লাগে, তেনেহলে জল পান কৰোঁৱা; তেনে কৰিলে
তেওঁৰ মূৰত জ্বলি থকা আঙঠা দ'ম কৰি থবা"। ২১ কুকৰ্মৰ দ্বাৰাই
পৰাজিত নহৈ, ভাল কৰ্মৰ দ্বাৰাই কুকৰ্মক পৰাজয় কৰক।

**১৩** প্ৰত্যেক ব্যক্তিয়ে শাসনকৰ্তা সকলৰ বশীভূত হওক; কিয়নো
ঈশ্বৰৰ পৰা নাহিলে, কোনোৱে কতৃত্ব নাপায়; আৰু যি যি আছে,
সেইবোৰ ঈশ্বৰৰ দ্বাৰাই নিৰূপিত। ২ এতেকে যি জনে সেই ক্ষমতাৰ
প্ৰতিৰোধ কৰে, তেওঁ ঈশ্বৰৰ আজ্ঞাৰ প্ৰতিৰোধ কৰে; আৰু যি সকলে
প্ৰতিৰোধ কৰে, তেওঁলোকে নিজেই নিজলৈ দণ্ডাজ্ঞা মাতি আনে। ৩
কিয়নো শাসনকৰ্তা সকল ভাল কৰ্মলৈ নহয় কিন্তু কুকৰ্মলৈহে ভয়ৰ
কাৰণ হয়। আপুনি ক্ষমতালৈ নিৰ্ভয়ে থাকিব খোজা নে? তেনেহলে
ভাল কৰ্ম কৰক, তেতিয়াহে প্ৰশংসা পাব; ৪ কিয়নো আপোনাৰ ভালৰ
কাৰণে, তেওঁ ঈশ্বৰৰ পৰিচাৰক হৈছে। কিন্তু আপুনি যদি কুকৰ্ম কৰে,
তেনেহলে ভয় কৰিব; কিয়নো তেওঁ তৰোৱাল বৃথা ধৰিছে, এনে
নহয়; কাৰণ তেওঁ ঈশ্বৰৰ পৰিচাৰক, দুৰাচাৰী লোকলৈ ক্ৰোধৰ অৰ্থে
তেওঁ প্ৰতিফল দিওঁতা। ৫ এই কাৰণে বশীভূত হওক, অকল ক্ৰোধৰ
ভয়ত নহয়; বিবেকৰ কাৰণেও ঈশ্বৰৰ বশীভূত হ'ব লাগে। ৬ আৰু
এই কাৰণে আপোনালোকে দিবলগীয়া কৰ আদায় দিয়ক; কিয়নো
তেওঁলোক ঈশ্বৰৰ সেৱক হৈ, সেই কৰ্মতেই লাগি থাকে। ৭ যাৰ যি
পাবলগীয়া, তেওঁ তাক দিয়ক; কৰ দিবলগীয়াক কৰ দিয়ক; মাচুল
দিবলগীয়াক মাচুল দিয়ক; ভয় কৰিব লগা জনক ভয় কৰক; সন্মান
কৰিবলগীয়া জনক সন্মান কৰক। ৮ পৰস্পৰে প্ৰেম কৰাৰ বাহিৰে,
আন কোনো কথাত আপোনালোক কাৰো ধৰুৱা নহ'ব; কিয়নো যি
জনে আন লোকক প্ৰেম কৰে, তেওঁ বিধানকো সিদ্ধ কৰিলে। ৯
কিয়নো "ব্যভিচাৰ নকৰিবা, নৰ-বধ নকৰিবা, চুৰ নকৰিবা, লোভ

নকৰিবা” আদি কৰি আন কোনো আজ্ঞাও যদি আছে, তেনেহলে এই
কথাতে এইবোৰো পোৱা যায়- “তোমাৰ চুবুৰীয়াক নিজৰ নিচিনাকৈ
প্ৰেম কৰা৷” ১০ প্ৰেমে চুবুৰীয়াৰ অনিষ্ট সাধন নকৰে; এই কাৰণে
প্ৰেমেৰে বিধান পালন কৰা হয়। ১১ এই কাৰণে আপোনালোকে এই
কাল জানে যে, এতিয়াই টোপনিৰ পৰা সাৰ পাবৰ সময় হ'ল; কিয়নো
প্ৰথমে যেতিয়া আমি বিশ্বাস কৰিলোঁ, তেতিয়াতকৈ এতিয়া পৰিত্ৰাণ
আমাৰ ওচৰ হ'ল। ১২ ৰাতিৰ অধিক ভাগ গ'ল, দিন ওচৰ চাপিল;
এই কাৰণে আহক, আন্ধাৰৰ কৰ্ম এৰি থৈ পোহৰৰ সাজ পিন্ধোহঁক।
১৩ ৰঙ্গৰস, মত্ততা, লম্পট আচৰণ, কামাভিলাষ, বিবাদ আৰু ঈৰ্ষা,
এইবোৰ ত্যাগ কৰি, দিনৰ উপযুক্ত শিষ্টাচৰণ কৰোঁহক। ১৪ কিন্তু
আপোনালোকে প্ৰভু যীচু খ্ৰীষ্টৰ সেই নৈতিক চৰিত্ৰ স্বীকাৰ কৰক আৰু
অভিলাষ পূৰ্ণ কৰিবৰ বাবে নিজ নিজ মাংসৰ অৰ্থে একো আয়োজন
নকৰিব।

**১৪** যি জন বিশ্বাসত দূৰ্বল, তেওঁক বিচাৰ নকৰি আপোনালোকে
গ্ৰহণ কৰক; কিন্তু বিভিন্ন মত, বিবাদ, বা সোধ-বিচাৰ কৰিবৰ অৰ্থে
নহয়। ২ কোনো এজনৰ সকলো বস্তু খাবলৈ বিশ্বাস আছে; কিন্তু
আনহাতে যি জন দূৰ্বল, তেওঁ কেৱল শাক-পাচলিহে খায়। ৩ যি জন
লোকে সকলো খায়, তেওঁ নোখোৱা জনক হেয়জ্ঞান নকৰক আৰু
যি জনে নাখায়, তেওঁ খোৱা জনৰ বিচাৰ নকৰক; কিয়নো ঈশ্বৰে
তেওঁক গ্ৰহণ কৰিলে। ৪ অাপুনি লোকৰ দাসৰ যে বিচাৰ কৰিছে,
অাপুনি নো কোন? তেওঁ নিজ প্ৰভুৰ আগত হয় থিৰে থাকে নাইবা
পৰে; কিন্তু তেওঁক থিৰ কৰা যাব; কিয়নো প্ৰভুৱে তেওঁক থিৰ কৰিব
পাৰে। ৫ কোনো এজনে যদি এটা দিনক আন দিনতকৈ অধিক
মান্য কৰে; আনহাতে কোনোৱে সকলো দিনকে সমানে মান্য কৰে,
কিন্তু প্ৰতিজনে নিজ নিজ মন বিশ্বাসত দৃঢ় কৰি ৰাখক। ৬ যি জনে
বিশেষ দিন মানে, তেওঁ প্ৰভুৰ উদ্দেশ্যে সেইদিন মানক; যি জনে খায়,
তেওঁ প্ৰভুৰ উদ্দেশ্যে খাওক; কিয়নো তেওঁ ঈশ্বৰৰ ধন্যবাদ কৰে৷ যি
জনে নাখায়, তেৱোঁ প্ৰভুৰ উদ্দেশ্যে নাখাওঁক; আৰু ঈশ্বৰৰ ধন্যবাদ
কৰক। ৭ কিয়নো আমাৰ কোনেও নিজৰ কাৰণে জীয়াই নাথাকো

আৰু কোনেও নিজৰ কাৰণে নমৰো। ৮ কিয়নো যদি আমি জীয়াই
থাকো, তেনেহলে প্ৰভুৰ উদ্দেশ্যে জীওঁ; আৰু যদি মৰোঁ, তেনেহলে
প্ৰভুৰ উদ্দেশ্যেই মৰোঁ; এই কাৰণে যদিও জীওঁ বা মৰোঁ, আমি
প্ৰভুৰেই হৈ আছোঁ। ৯ কিয়নো মৃত্যু হোৱা সকলৰ আৰু জীৱিত সকলৰ
প্ৰভু হ'বলৈ, খ্ৰীষ্ট মৰিল আৰু জীয়াই উঠিল। ১০ কিন্তু আপুনি কিয়
নিজৰ ভায়েৰাৰ সোধ-বিচাৰ কৰিছে? আপোনাৰ ভায়েৰাক নো কিয়
হেয়জ্ঞান কৰিছে? কিয়নো আমি সকলোৱে ঈশ্বৰৰ বিচাৰৰ আসনৰ
আগত থিয় হ'ম। ১১ কাৰণ এনেকৈ লিখা আছে, প্ৰভুৱে কৈছে, "মোৰ
জীৱনৰে শপত, প্ৰভুৱে যে কৈছে, সকলোৱে মোৰ আগত আঁঠু ল'ব,
আৰু প্ৰত্যেক জিভাই ঈশ্বৰৰ গৌৰৱ কৰিব।" ১২ এনেদৰে আমি
প্ৰতিজনে ঈশ্বৰৰ আগত নিজৰ বিষয়ে হিচাব দিব লাগিব। ১৩ এই
কাৰণে আমি কেতিয়াও পৰস্পৰৰ সোধ-বিচাৰ নকৰিম; কিন্তু ইয়াৰ
পৰিৱৰ্তে আপোনালোকে এই বিচাৰ কৰক, কোনেও যেন নিজ ভাইৰ
আগত বিপত্তিজনক বস্তু বা ফান্দ পাতি নাৰাখে। ১৪ স্বভাৱতে কোনো
বস্তু যে অশুচি নহয়, ইয়াক মই জানো আৰু প্ৰভু যীচুত দৃঢ় বিশ্বাস
কৰোঁ; কিন্তু যি জনে যি বস্তু অশুচি বুলি জ্ঞান কৰে, তেওঁলৈ সেই বস্তু
অশুচি হয়। ১৫ কিয়নো আপোনাৰ খোৱা বস্তুৰ দ্বাৰাই যদি আপোনাৰ
ভাই দুঃখিত হয়, তেনেহলে আপুনি প্ৰেম আচৰণ কৰা নহ'ল। যি জনৰ
কাৰণে খ্ৰীষ্ট মৰিল, সেই জনক আপোনাৰ খোৱা বস্তুৰ দ্বাৰাই বিনষ্ট
নকৰিব। ১৬ এতেকে আপোনালোকৰ ভাল কৰ্মবোৰ আন লোকৰ
ঠাট্টা নিন্দাৰ কাৰণ হবলৈ নিদিব; ১৭ কিয়নো ভোজন বা পান কৰাই
ঈশ্বৰৰ ৰাজ্য নহয়; কিন্তু ধাৰ্মিকতা, শান্তি আৰু পবিত্ৰ আত্মাৰ আনন্দ,
এইবোৰহে ঈশ্বৰৰ ৰাজ্যৰ সাৰ। ১৮ কাৰণ এই বিষয়ত যি জনে
খ্ৰীষ্টৰ সেৱাকৰ্ম কৰে, তেওঁ ঈশ্বৰৰ গ্ৰহণকাৰী আৰু ব্যক্তি সকলৰ
আগতো পৰীক্ষাসিদ্ধ। ১৯ এতেকে শান্তিজনক আৰু পৰস্পৰৰ উন্নতি
সাধক যি যি আছে, সেইবোৰহে অনুসৰণ কৰোঁ আহক। ২০ খোৱা
বস্তুৰ কাৰণে ঈশ্বৰৰ কৰ্ম বিনষ্ট নকৰিব। সকলো বস্তু শুচি; তথাপি
যি মানুহে যি ভোজন কৰিলে তেওঁলৈ বিঘিনি জন্মে, সেইটোৱেই
তেওঁলৈ মন্দ। ২১ মঙহ খোৱা বা দ্ৰাক্ষাৰস পান কৰা বা আন যি কাৰ্যৰ

দ্বাৰাই আপোনাৰ ভায়েৰাই দোষী হয়, সেইবোৰ নকৰাই উচিত। ২২
আপোনাৰ যি নিৰ্দিষ্ট বিশ্বাসবোৰ আছে, সেইবোৰ আপোনাৰ আৰু
ঈশ্বৰৰ মাজত ৰাখক। যি জনে যি বিষয়ক যোগ্য জ্ঞান কৰে, সেই
বিষয়ত নিজৰ বিচাৰ নকৰা জন ধন্য। ২৩ কিন্তু সংশয় কৰা জনে যদি
খায়, তেনেহলে তেওঁক দোষী কৰা হ'ল; কিয়নো সেয়ে বিশ্বাসমূলক
নহয়; আৰু যি যি বিশ্বাসমূলক নহয়, সেই সকলোৱেই পাপ।

**১৫** কিন্তু বলৱন্ত যি আমি, আমি নিজক সন্তুষ্ট নকৰি, দূৰ্বল লোক
সকলৰ দূৰ্বলতাৰূপ ভাৰ বোৱা উচিত। ২ আমাৰ প্ৰতিজনে নিজ
চুবুৰীয়াক ধৰ্মত বৃদ্ধি কৰিবলৈ, তেওঁৰ ভাললৈ চাই, তেওঁক সন্তুষ্ট
কৰক। ৩ কিয়নো খ্ৰীষ্টয়ো নিজকে নিজে সন্তুষ্ট নকৰিলে; কিন্তু
যেনেদৰে লিখা আছে, বোলে, "তোমাক নিন্দা কৰা সকলৰ নিন্দাও
মোৰ ওপৰত পৰিল", ঠিক সেইদৰে হ'ল; ৪ কিয়নো আগেয়ে যিবোৰ
কথা লিখা হৈছিল, সেইবোৰ আমি ধৈৰ্যৰে আৰু শাস্ত্ৰৰ সান্ত্বনাৰে ভাৰসা
পাবলৈ আমাৰ শিক্ষাৰ কাৰণেহে লিখা হৈছিল। ৫ এতিয়া যি জন ধৈৰ্য
আৰু সান্ত্বনাৰ ঈশ্বৰ, তেওঁ আপোনালোকক খ্ৰীষ্ট যীচুৰ মত অনুসাৰে
এক মন হবলৈ সাহায্য প্ৰদান কৰক; ৬ এইদৰে আপোনালোকে এক
মনেৰে আৰু একস্বৰেৰে আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ প্ৰশংসা কৰক৷ ৭
এতেকে ঈশ্বৰৰ মহিমাৰ অৰ্থে, যেনেকৈ খ্ৰীষ্টে আপোনালোকক গ্ৰহণ
কৰিলে, তেনেকৈ আপোনালোকেও ইজনে সিজনক গ্ৰহণ কৰক।
৮ কিয়নো মই কওঁ, ওপৰ-পুৰুষ সকলক দিয়া প্ৰতিজ্ঞাবোৰ নিশ্চিত
কৰিবলৈ আৰু ঈশ্বৰৰ সত্যতাৰ পক্ষে খ্ৰীষ্টক চুন্নৎ হোৱা সকলৰ
পৰিচাৰক কৰা হ'ল। ৯ আৰু অনা-ইহুদী লোকেও ঈশ্বৰৰ দয়াৰ
অৰ্থে তেওঁক গৌৰৱান্বিত কৰিবলৈ, এই বিষয়ে এনে ধৰণে লিখাও
আছে, "এই কাৰণে মই অনা-ইহুদী সকলৰ মাজত তোমাৰ স্তুতি
কৰিম; আৰু তোমাৰ নামেৰে গীতো গাম।" ১০ আকৌ কৈছে, "হে
অনা-ইহুদী সকল, তেওঁলোকৰ সৈতে আনন্দ কৰা।" ১১ আকৌ,
"প্ৰভুৰ প্ৰশংসা কৰা, হে সকলো অনা-ইহুদী আৰু সকলোৱে তেওঁৰ
প্ৰশংসা কৰক।" ১২ আকৌ যিচয়ায়ো কৈছে, "যিচয়ৰ পৰা এনে এটি
গজালি ওলাব, যি জনে অনা-ইহুদী সকলৰ ওপৰত শাসন কৰিবলৈ

উঠিব, আৰু তেওঁত অনা-ইহুদী লোক সকলে ভাৰসা কৰিব।” ১৩
এতেকে আপোনালোকে যেন পবিত্র আত্মাৰ শক্তিৰে আশাত উপচি
পৰিব পাৰে, তাৰ বাবে আশাৰ আকৰ ঈশ্বৰে আপোনালোকক আৰু
বিশ্বাস কৰাৰ সকলোকে আনন্দ আৰু শান্তিৰে পৰিপূৰ্ণ কৰক। ১৪
হে মোৰ ভাই সকল, আপোনালোকৰ বিষয়ে মোৰ নিজৰো এই দৃঢ়
বিশ্বাস আছে যে, আপোনালোক সকলোৱে জ্ঞানত আৰু পৰস্পৰক
চেতনা দিবলৈ সমৰ্থ হৈ মঙ্গলভাৱত পৰিপূৰ্ণ হৈ আছে। ১৫ কিয়নো
ঈশ্বৰে মোক দিয়া এই অনুগ্ৰহৰ কাৰণে, আপোনালোকক পুনৰ
সোঁৱৰাবলৈ কিছুমান বিষয়ত বেছি সাহসেৰে লিখিলোঁ৷ ১৬ অনা-
ইহুদী সকলে যেন পবিত্র আত্মাৰ দ্বাৰাই পবিত্ৰীকৃত নৈবেদ্য স্বৰূপে
পৰম গ্ৰহণীয় হয়, এই আশয়েৰে, মই অনা-ইহুদী সকলৰ বাবে খ্ৰীষ্ট
যীচুৰ সেৱকৰূপে, ঈশ্বৰৰ শুভবাৰ্তাৰ পৰিচৰ্যা কৰিবলৈ পালোঁ৷ ১৭
এতেকে, ঈশ্বৰ সম্বন্ধীয় কাৰ্যৰ বিষয়ে, খ্ৰীষ্ট যীচুত মোৰ শ্লাঘা আছে।
১৮ কিয়নো মই যে কোনো কাম কৰিছোঁ, এনে কথা মই কোৱা নাই৷
মোৰ বাক্য আৰু কাৰ্যৰ দ্বাৰা অনা-ইহুদী সকলক ঈশ্বৰৰ বাধ্য কৰিবৰ
বাবে খ্ৰীষ্টই মোৰ যোগেদি যি কৰিছে, ইয়াৰ বাহিৰে আন একো কথা
কবলৈ সাহস নকৰোঁ৷ ১৯ তেওঁ আচৰিত চিন আৰু আলৌকিক কাৰ্য
আৰু পবিত্র আত্মাৰ শক্তিৰ দ্বাৰাই এই সকলো সাধন কৰিলে; তাতে
মই যিৰূচালেমৰ পৰা ইলুৰিয়ালৈকে আৰু ইয়াৰ চাৰিওফালে খ্ৰীষ্টৰ
শুভবাৰ্তা সম্পূৰ্ণৰূপে প্ৰচাৰ কৰিব পাৰিলোঁ৷ ২০ এইদৰে য'ত খ্ৰীষ্টৰ
নাম কেতিয়াও প্ৰচাৰ কৰা হোৱা নাই, সেই ঠাইত খ্ৰীষ্টৰ শুভবাৰ্তা
প্ৰচাৰ কৰাই মোৰ লক্ষ্য৷ অন্য লোকে স্থাপন কৰা মূলৰ ওপৰত
সাজিবলৈ মই নিবিচাৰিলোঁ৷ ২১ যেনেকৈ লিখা আছে, বোলে, “যি
সকলৰ আগত তেওঁৰ বিষয়ে সম্বাদ দিয়া নাই, তেওঁলোকে দেখিব,
আৰু যি সকলে শুনা নাই, তেওঁলোকে বুজিব৷” ২২ এই কাৰণে মই
আপোনালোকৰ ওচৰলৈ যাবৰ বাবে অনেকবাৰ বাধা পালোঁ; ২৩
কিন্তু এতিয়া এইবোৰ অঞ্চলত মোৰ কাৰ্য কৰিবলৈ ঠাই নাই, আৰু
বহু বছৰ ধৰি আপোনালোকৰ ওচৰত যাবলৈ ইচ্ছা কৰিছিলোঁ৷ ২৪
যেতিয়া মই স্পেইন দেশলৈ যাত্ৰা কৰিম, মই আশা কৰোঁ যে, মই

আপোনালোকক দেখা পাম আৰু তেতিয়া আপোনালোকৰ কথাত কিছু
সময় তৃপ্ত হৈ, পাছত আপোনালোকৰ দ্বাৰাই তালৈ আগবঢ়াই থোৱা
হ'ম৷ ২৫ কিন্তু মই এতিয়া পবিত্ৰ লোকৰ পৰিচৰ্যাৰ অৰ্থে যিৰূচালেমলৈ
যাওঁ। ২৬ কিয়নো মাকিদনিয়া আৰু আখায়া দেশীয় লোক সকলে
যিৰূচালেমত থকা পবিত্ৰ লোক সকলৰ মাজৰ দৰিদ্ৰ সকলৰ অৰ্থে,
কিছু দান কৰিবলৈ ভাল দেখিলে। ২৭ হয়, তেওঁলোকে সেই বিষয়ে
সন্তোষজনক দেখিলে আৰু প্ৰকৃততে তেওঁলোকে যিৰূচালেমত থকা
পবিত্ৰ লোক সকলৰ ধৰুৱাও আছিল৷ কিয়নো অনা-ইহুদী সকল
যদি অপাৰ্থিৱ বিষয়ত তেওঁলোকৰ সহভাগী হ'ল, তেনেহলে পাৰ্থিৱ
বিষয়তো তেওঁলোকৰ শুশ্ৰূষা কৰিবলৈ ধৰুৱা হ'ল। ২৮ এতেকে মই
যেতিয়া সেই কাৰ্য সমাপ্ত কৰিম, অৰ্থাৎ সেই দান ৰূপ ফল প্ৰমাণসিদ্ধ
কৰি তেওঁলোকক শোধাই দিয়াৰ পাছত, মই স্পেইন দেশৰ যাত্ৰাত
থাকোতে আপোনালোকৰ ওচৰলৈ যাম। ২৯ আৰু মই জানো যে,
আপোনালোকৰ ওচৰলৈ যাওঁতে, খ্ৰীষ্টৰ আশীৰ্বাদৰ পৰিপূৰ্ণতাৰে
যাম। ৩০ হে ভাই সকল, মই অনুৰোধ কৰোঁ, প্ৰভু যীচু খ্ৰীষ্টৰ নামৰ
দ্বাৰাই আৰু পবিত্ৰ আত্মাৰ প্ৰেমৰ দ্বাৰাই আপোনালোকে মোৰ অৰ্থে,
ঈশ্বৰৰ আগত প্ৰাৰ্থনা কৰক আৰু মোৰে সৈতে প্ৰাণপণে যত্ন কৰক;
৩১ যাতে যিহুদীয়াত থকা আজ্ঞা নমনা সকলৰ পৰা মই যেন ৰক্ষা
পাওঁ আৰু যিৰূচালেমলৈ মোৰ যি পৰিচৰ্যা, সেয়ে পবিত্ৰ লোক সকলৰ
আগত যেন গ্ৰহণীয় হয়৷ ৩২ আৰু ঈশ্বৰৰ ইচ্ছাৰে আপোনালোকৰ
ওচৰলৈ আনন্দেৰে গৈ, আপোনালোকৰ সৈতে যেন মোৰ প্ৰাণ জুৰাব
পাৰিম৷ ৩৩ শান্তিৰ আকৰ ঈশ্বৰ আপোনালোক সকলোৰে লগত
থাকক। আমেন।

**১৬** মই আপোনালোকক নিবেদন কৰিছোঁ যে, কিংক্ৰিয়া নগৰৰ
মণ্ডলীৰ পৰিচাৰিকা ফৈবি নামেৰে আমাৰ ভনীক, ২ আপোনালোকে
পবিত্ৰ লোক সকলৰ যোগ্যমতে প্ৰভুত তেওঁক গ্ৰহণ কৰিব আৰু
আপোনালোকৰ পৰা যদি কোনো ধৰণৰ সাহায্য বিচাৰে, তেনেহলে
সাহায্য কৰিব; কিয়নো তেওঁ অনেক লোকৰ সহায় আৰু মোৰ নিজৰো
উপকাৰ কৰিছিল। ৩ খ্ৰীষ্ট যীচুত মোৰ সহকাৰী হোৱা প্ৰিস্কা আৰু

আক্কিলাক মঙ্গলবাদ দিব; ৪ তেওঁলোকে মোৰ প্ৰাণৰ কাৰণে নিজৰ
প্ৰাণ দিবলৈ সাজু আছিল; মই তেওঁলোকক ধন্যবাদ দিওঁ আৰু
কেৱল মই নহয়, অনা-ইহুদী সকলৰ আটাই মণ্ডলী সকলো লোকে
তেওঁলোকক ধন্যবাদ দিছে; ৫ আৰু তেওঁলোকৰ ঘৰত গোট খোৱা
মণ্ডলীকো আপোনালোকে মঙ্গলবাদ দিব। খ্ৰীষ্টৰ উদ্দেশ্যে হোৱা
এচিয়া দেশৰ প্ৰথম ফল, মোৰ যি প্ৰিয় ইপেনিত, তেওঁকো মঙ্গলবাদ
দিব। ৬ যি মৰিয়মে আপোনালোকৰ কাৰণে বহু পৰিশ্ৰম কৰিলে,
তেওঁক মঙ্গলবাদ দিব। ৭ মোৰ জ্ঞাতি আৰু লগৰ বন্দীয়াৰ আৰু পাঁচনি
সকলৰ মাজত প্ৰসিদ্ধ হোৱা, মোতকৈয়ো আগেয়ে খ্ৰীষ্টত আশ্ৰয়
লোৱা, যি আন্দ্ৰনিক আৰু যুনিয়, তেওঁলোকক মঙ্গলবাদ দিব। ৮ প্ৰভুত
মোৰ প্ৰিয় আমপ্লিয়াতক মঙ্গলবাদ দিব। ৯ খ্ৰীষ্টত আমাৰ সহকাৰী
উৰ্ব্বাণক আৰু মোৰ প্ৰিয় স্তাখুক মঙ্গলবাদ দিব। ১০ খ্ৰীষ্টত পৰীক্ষাসিদ্ধ,
আপিল্লিক মঙ্গলবাদ দিব। আৰিষ্টবুলৰ পৰিয়ালক মঙ্গলবাদ দিব। ১১
মোৰ জ্ঞাতি হেৰুদিয়োনক মঙ্গলবাদ দিব। নাৰ্কিচহঁতৰ যি সকল প্ৰভুত
আছে, তেওঁলোকক মঙ্গলবাদ দিব। ১২ প্ৰভুত পৰিশ্ৰমকাৰিণী ক্ৰুফেনা
আৰু ক্ৰুফোচাক মঙ্গলবাদ দিব। যি প্ৰিয় পৰ্চীয়ে প্ৰভুত বহু পৰিশ্ৰম
কৰিলে, তেওঁক মঙ্গলবাদ দিব। ১৩ প্ৰভুত মনোনীত ৰূফক, আৰু
মোৰ মাতৃস্বৰূপা তেওঁৰ মাকক মঙ্গলবাদ দিব। ১৪ অচুঙ্কৃত, ফ্লিগোন,
হৰ্ম্মা, পাত্ৰোবা, হৰ্ম্মি, আৰু এওঁলোকৰ লগৰ ভাই সকলক মঙ্গলবাদ
দিব। ১৫ ফিললগ, যুলিয়া, নীৰিয় আৰু তেওঁৰ ভনীয়েক আৰু ওলুম্প,
এওঁলোকক আৰু এওঁলোকৰ লগত থকা সকলো পবিত্ৰ লোককো
মঙ্গলবাদ দিব। ১৬ আপোনালোকে পৰস্পৰে পবিত্ৰ চুমাৰে মঙ্গলবাদ
কৰিব। খ্ৰীষ্টৰ সকলো মণ্ডলীয়ে আপোনালোকক মঙ্গলবাদ কৰিছে।
১৭ হে ভাই সকল, মই আপোনালোকক মিনতি কৰোঁ যে, যি সকলে
দল দল হৈ গোট সৃষ্টি কৰি পাপক প্ৰৰোচিত কৰে, তেওঁলোকৰ প্ৰতি
লক্ষ্য ৰাখিব৷ আপোনালোকে যি সত্যৰ শিক্ষা পালে, তেওঁলোক সেই
শিক্ষাৰ বিপৰীত; এনেকুৱা লোকৰ পৰা আপোনালোক দূৰত থাকিব৷
১৮ কিয়নো তেনেকুৱা লোকে আমাৰ প্ৰভু খ্ৰীষ্টৰ সেৱাকৰ্ম নকৰি, নিজ
নিজ পেটৰ সেৱাকৰ্ম কৰে; আৰু মধুৰ বাক্য আৰু সুন্দৰ কথাৰে নিৰ্দোষী

লোকৰ মন ভুলায়। ১৯ কিয়নো আপোনালোকৰ আজ্ঞাধীনতাৰ কথা
সকলো ঠাইতে বিয়পি পৰিছে। সেয়েহে মই আপোনালোকৰ কথাত
আনন্দ কৰোঁ; কিন্তু আপোনালোক উত্তম বিষয়ত জ্ঞানী আৰু মন্দ
বিষয়ত যেন শুদ্ধ হয়, এয়ে মোৰ বাঞ্ছা। ২০ আৰু শান্তিৰ আকৰ
ঈশ্বৰে অতি সোনকালে চয়তানক আপোনালোকৰ ভৰিৰ তলত মৰ্দ্দন
কৰিব। আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ অনুগ্ৰহ আপোনালোকৰ লগত থাকক।
২১ মোৰ সহকাৰী তীমথিয় আৰু স্বজাতীয় লুকিয়া, যাচোন আৰু
চোচিপাত্ৰ, এওঁলোকে আপোনালোকক মঙ্গলবাদ কৰিছে। ২২ আৰু
এই পত্ৰ লিখক যি মই, তৰ্ত্তিয়ই, প্ৰভুত আপোনালোকক মঙ্গলবাদ
কৰিছোঁ। ২৩ মোৰ আৰু গোটেই মণ্ডলীৰ আলহী শুশ্ৰূষা কৰোঁতা গায়ে
আপোনালোকক মঙ্গলবাদ কৰিছে। এই নগৰৰ ভঁৰালী ইৰাস্তচে আৰু
ক্বাৰ্ত্ত ভায়ে আপোনালোকক মঙ্গলবাদ কৰিছে। ২৪ আমাৰ প্ৰভু যীচু
খ্ৰীষ্টৰ অনুগ্ৰহ আপোনালোক সকলোৰে হওক৷ ২৫ এতিয়া যীচু খ্ৰীষ্টৰ
বিষয়ে যি শুভবাৰ্তা মই প্ৰচাৰ কৰিলোঁ, সেই শুভবাৰ্তাৰ মাধ্যমত
আপোনালোকক স্থিৰ ৰাখিবলৈ ঈশ্বৰৰ ক্ষমতা আছে৷ অনাদি কালৰে
পৰা ঈশ্বৰে তেওঁৰ ৰহস্য গোপনে ৰাখিছিল, কিন্তু এতিয়া শুভবাৰ্তাৰ
মাধ্যমত সেয়া প্ৰকাশ পালে আৰু সেইদৰেই মই প্ৰচাৰো কৰিলোঁ৷
**(aiōnios g166)** ২৬ সম্প্ৰতি অনাদি ঈশ্বৰৰ আজ্ঞাৰ দৰে ভাববাদী
সকলে লিখা শাস্ত্ৰৰ দ্বাৰাই এতিয়া প্ৰকাশিত হ’ল আৰু আজ্ঞাধীনতাৰ
কাৰণে সকলো অনা-ইহুদী লোকৰ আগত জনোৱা হ’ল৷ **(aiōnios g166)**
২৭ যি একমাত্ৰ প্ৰজ্ঞাৱান ঈশ্বৰ, যীচু খ্ৰীষ্টৰ দ্বাৰাই, তেওঁৰেই মহিমা
চিৰকাল হওক। আমেন। **(aiōn g165)**

# ১ কৰিন্থীয়া

১ ঈশ্বৰৰ ইচ্ছাৰ দ্বাৰা খ্ৰীষ্ট যীচুৰ আমন্ত্ৰিত পাঁচনি পৌল আৰু আমাৰ
ভাই চোস্থিনিৰ পৰা এই পত্ৰ। ২ এই পত্ৰ কৰিন্থত থকা ঈশ্বৰৰ যি
মণ্ডলী; খ্ৰীষ্ট যীচুৱে পবিত্ৰ কৰি যি সকলক পবিত্ৰ লোক হবলৈ আমন্ত্ৰণ
কৰিলে, তেওঁলোকৰ আৰু সকলো ঠাইতে যি সকল লোকে আমাৰ
অৰ্থাৎ তেওঁলোকৰ আৰু আমাৰো প্ৰভু খ্ৰীষ্ট যীচুৰ নামত প্ৰাৰ্থনা কৰে,
সেই সকলোৰে সমীপলৈ। ৩ আমাৰ পিতৃ ঈশ্বৰ আৰু প্ৰভু যীচু খ্ৰীষ্টৰ
পৰা আপোনালোকলৈ অনুগ্ৰহ আৰু শান্তি হওক। ৪ খ্ৰীষ্ট যীচুত ঈশ্বৰে
যি অনুগ্ৰহ আপোনালোকক দান কৰিলে, তাৰ কাৰণে মই সদায় মোৰ
ঈশ্বৰক ধন্যবাদ দিওঁ। ৫ আপোনালোক খ্ৰীষ্ট যীচুত সকলো বিষয়ত
সকলো ধৰণৰ বক্তৃতা দিয়াৰ ক্ষমতাৰে আৰু জ্ঞানত উপচি পৰিছে। ৬
তেওঁ আপোনালোকক উপচাই দিছে আৰু এইদৰেই আপোনালোকৰ
মাজত খ্ৰীষ্ট সম্পৰ্কীয় সাক্ষ্য সত্যৰূপে প্ৰমাণিত হৈ আছে। ৭ সেই
কাৰণে আপোনালোকৰ আত্মিক বৰৰ কোনো অভাৱ নাই আৰু আমাৰ
প্ৰভু যীচু খ্ৰীষ্ট প্ৰকাশিত হোৱা দিনলৈ আপোনালোকে আগ্ৰহেৰে
অপেক্ষা কৰি আছে। ৮ তেওঁ আপোনালোকক শেষলৈকে বলৱন্ত
কৰিব, যাতে আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ সেইদিন পৰ্যন্ত আপোনালোক
নিৰ্দোষী, পবিত্ৰ হৈ থাকিব। ৯ ঈশ্বৰ বিশ্বাসী; তেৰেঁই আপোনালোকক
তেওঁৰ পুত্ৰ, আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ সহভাগিতা লাভৰ কাৰণে আমন্ত্ৰণ
কৰিছে। ১০ কিন্তু মোৰ প্ৰিয় ভাই আৰু ভনী সকল, আমাৰ প্ৰভু যীচু
খ্ৰীষ্টৰ নামত মই আপোনালোকক বিনয় কৰোঁ যে, আপোনালোকৰ
পৰস্পৰৰ মাজত যেন মতৰ মিল থাকে; আপোনালোকৰ মাজত
কোনো বিভেদ নাথাকক। আপোনালোক সকলোৰে যেন একে মন
আৰু এক উদ্দেশ্য হয়। ১১ মোৰ ভাই-ভনী সকল, মই ক্লোয়ীৰ ঘৰৰ
লোক সকলৰ পৰা শুনিবলৈ পাইছো যে, আপোনালোকৰ মাজত নানা
বাক-বিতণ্ডা হৈ আছে। ১২ এতিয়া মই এই কথা কবলৈ বিচাৰিছোঁ যে,
আপোনালোক প্ৰতিজনে কয় “মই পৌলৰ দলৰ” অথবা “মই আপল্লোৰ
দলৰ” নাইবা “মই কৈফাৰ” বা “মই খ্ৰীষ্টৰ দলৰ।” ১৩ তেনেহলে
খ্ৰীষ্টক ভাগ কৰা হৈছে নেকি? পৌলক জানো আপোনালোকৰ কাৰণে

ক্ৰুচত দিয়া হৈছিল? আপোনালোকে জানো পৌলৰ নামেৰে বাপ্তিস্ম
লৈছিল? ১৪ মই ঈশ্বৰৰ ধন্যবাদ কৰোঁ যে ক্ৰীষ্প আৰু গায়ৰ বাহিৰে
আপোনালোকৰ আন কোনো এজনকো মই বাপ্তিস্ম দিয়া নাই। ১৫
গতিকে কোনেও কব নোৱাৰিব যে আপোনালোকে মোৰ নামেৰে
বাপ্তিস্ম লৈছে। ১৬ অৱশ্যে হয়, স্তিফানাৰ পৰিবাৰৰ লোক সকলকো
মই বাপ্তিস্ম দিছোঁ। এওঁলোকৰ বাহিৰে আন কোনো এজনক বাপ্তিস্ম
দিছোঁ বুলি মোৰ মনত নপৰে। ১৭ কিয়নো খ্ৰীষ্টই মোক বাপ্তিস্ম দিবৰ
কাৰণে নহয়, কিন্তু শুভবাৰ্তা প্ৰচাৰ কৰিবৰ কাৰণেহে পঠাইছে। খ্ৰীষ্টৰ
ক্ৰুচৰ পৰাক্ৰম যেন বিফল নহয়, সেয়ে তেওঁ মোক এই শুভবাৰ্তা
মানুহৰ জ্ঞানেৰেও প্ৰচাৰ কৰিবলৈ পঠোৱা নাই। ১৮ বিনাশৰ পথত
চলা লোক সকলৈ ক্ৰুচৰ শিক্ষা মূৰ্খতা। কিন্তু ঈশ্বৰে পৰিত্ৰাণ কৰা
যি আমি, আমালৈ ই ঈশ্বৰৰ শক্তিস্বৰূপ। ১৯ কাৰণ এইদৰে লিখা
আছে: “মই জ্ঞানী সকলৰ জ্ঞান নষ্ট কৰিম; মই বুদ্ধিমান সকলৰ
বুদ্ধি ব্যৰ্থ কৰিম” ২০ কিন্তু জ্ঞানী লোক ক’ত? পণ্ডিত লোকেই বা
ক’ত? এই জগতৰ তাৰ্কিক লোক বা ক’ত? ঈশ্বৰে জানো জগতৰ
জ্ঞানক মূৰ্খতালৈ পৰিণত কৰা নাই? (aiōn g165) ২১ সেয়ে ঈশ্বৰৰ নিজ
জ্ঞানত যেতিয়া জনিলে যে জগতে নিজৰ জ্ঞানেৰে ঈশ্বৰক নাজানিলে,
তেতিয়া প্ৰচাৰৰ মূৰ্খতাৰ দ্বাৰাই যি সকলে বিশ্বাস কৰে, সেই সকলক
উদ্ধাৰ কৰাত ঈশ্বৰ সন্তুষ্ট হ’ল। ২২ ইহুদী সকলে পৰাক্ৰম কাৰ্যৰ চিন
বিচাৰে আৰু গ্ৰীক সকলে প্ৰজ্ঞাৰ অন্বেষণ কৰে। ২৩ কিন্তু আমি হ’লে
ক্ৰুচত হত হোৱা খ্ৰীষ্টৰ সম্বন্ধেহে প্ৰচাৰ কৰোঁ। ইহুদী লোক সকলৈ
এই কথা এক বিঘিনি স্বৰূপ আৰু গ্ৰীক সকলৰ ওচৰত মূৰ্খতাস্বৰূপ।
২৪ কিন্তু ইহুদী লোকেই হওক বা গ্ৰীক লোকেই হওক, ঈশ্বৰে যি
সকলক আমন্ত্ৰণ কৰিছে, আমি তেওঁলোকৰ ওচৰত খ্ৰীষ্টক ঈশ্বৰৰ
শক্তি আৰু জ্ঞানস্বৰূপে প্ৰচাৰ কৰোঁ। ২৫ কাৰণ ঈশ্বৰৰ যি মূৰ্খতা,
সেয়া মানুহৰ জ্ঞানতকৈ অধিক জ্ঞানসম্পন্ন আৰু ঈশ্বৰৰ যি দুৰ্বলতা,
সেয়া মানুহৰ শক্তিতকৈ অধিক শক্তিশালী। ২৬ ভাই-ভনী সকল,
ঈশ্বৰে যে আপোনালোকক আহ্বান কৰিছে, সেই বিষয়ে অলপ ভাৰি
চাওক। মানুহৰ বিচাৰত আপোনালোক বহুতেই জ্ঞানী আছিল, এনে

নহয়; ক্ষমতাসম্পন্ন ব্যক্তিও যে আছিল, এনে নহয় নাইবা অনেকে যে
অভিজাত বংশত জন্মিছিল, তেনেও নহয়। ২৭ কিন্তু ঈশ্বৰে জ্ঞানৱন্তক
লাজ দিবলৈ জগতৰ মূৰ্খবোৰক মনোনীত কৰিলে আৰু বলৱন্তক লাজ
দিবলৈ ঈশ্বৰে জগতৰ দুৰ্বলবোৰক মনোনীত কৰিলে। ২৮ জগতত
যি তুচ্ছ আৰু ঘৃণিত, যাৰ কোনো মূল্যই নাই, সেই সকলক ঈশ্বৰে
মনোনীত কৰিলে যাতে জগতৰ মূল্যৱান সকলক তেওঁ মূল্যহীন কৰিব
পাৰে। ২৯ ঈশ্বৰে এই কাম কৰিলে যাতে কোনো মানুহে তেওঁৰ
ওচৰত অহংকাৰ কৰিব নোৱাৰে। ৩০ কাৰণ ঈশ্বৰৰ কাৰ্যৰ দ্বাৰাই
আপোনালোক এতিয়া খ্ৰীষ্ট যীচুৰ লগত যুক্ত হ'ল। খ্ৰীষ্টই হৈছে আমাৰ
বাবে ঈশ্বৰে দিয়া জ্ঞান, তেৰেঁই আমাৰ জীৱনৰ ধাৰ্মিকতা, পবিত্ৰতা
আৰু মুক্তি। ৩১ সেয়েহে শাস্ত্ৰত লিখা আছে, "যি জনে গৰ্ব কৰে, তেওঁ
প্ৰভুতেই গৰ্ব কৰক।"

**২** হে প্ৰিয় ভাই আৰু ভনী সকল, যেতিয়া মই আপোনালোকৰ ওচৰলৈ
গৈ ঈশ্বৰৰ নিগূঢ়-তত্ত্ব প্ৰচাৰ কৰিছিলোঁ, তেতিয়া মই শুৱলা বক্তৃতাৰে
বা জ্ঞানৰ উত্তমতাৰে প্ৰচাৰ কৰা নাছিলোঁ। ২ কিয়নো মই সিদ্ধান্ত
লৈছিলোঁ যে, আপোনালোকৰ মাজত থকাৰ সময়ত কেৱল যীচু
খ্ৰীষ্ট আৰু তেওঁৰ ক্ৰুচীয় মৃত্যুৰ বাহিৰে আন একোৱেই নজনাম। ৩
মই আপোনালোকৰ ওচৰত দূৰ্বলতাৰে সৈতে ভয়ত অতিশয় কঁপি
আছিলোঁ। ৪ তাতে মোৰ কথা আৰু মোৰ প্ৰচাৰত কোনো জ্ঞানযুক্ত
মনোমোহা ভাষা নাছিল, কিন্তু সেইবোৰত আত্মাৰ শক্তিৰ প্ৰমাণ
আছিল, ৫ সেয়েহে আপোনালোকৰ বিশ্বাস যেন মানুহৰ জ্ঞানত
নিৰ্ভৰশীল নহৈ ঈশ্বৰৰ শক্তিত নিৰ্ভৰশীল হয়। ৬ তথাপি যি সকল
লোক পৰিপক্ক, সেই লোক সকলৰ মাজত অৱশ্যে আমি জ্ঞানৰ কথা
কওঁ; সেই জ্ঞান এই পাৰ্থিৱ জগতৰ নহয় নাইবা এই যুগৰ বিনাশৰ
পাত্ৰ শাসনকৰ্তা সকলৰ জ্ঞান নহয়; **(aiōn g165)** ৭ কিন্তু আমি নিগূঢ়-
তত্ত্বত ঈশ্বৰৰ জ্ঞানৰ কথা কওঁ। এই জ্ঞান গুপ্ত আছিল আৰু ঈশ্বৰে
এই বিষয়ে আমাৰ গৌৰৱৰ অৰ্থে যুগবোৰৰ পূৰ্বেই স্থিৰ কৰিছিল।
**(aiōn g165)** ৮ এই যুগৰ শাসনকৰ্তা সকলৰ কোনেও সেই জ্ঞানৰ
বিষয়ে জনা নাছিল। কিয়নো, জনা হ'লে, তেওঁলোকে মহিমাপূৰ্ণ প্ৰভুক

ক্রুচত নিদিলেহেঁতেন; (aiōn g165) ৯ কিন্তু সেই গুপ্ত জ্ঞানৰ বিষয়ে
এইদৰে লিখা আছে, ‘চকুৱে যি যি নেদেখিলে, কাণে যি যি নুশুনিলে,
মনেও যি নাভাবিলে, সেই সকলো ঈশ্বৰক যি সকলে প্রেম কৰে, সেই
সকলৰ বাবে তেওঁ যুগুত কৰিলে’, ১০ কিন্তু ঈশ্বৰে আত্মাৰ দ্বাৰাই
সেইবোৰ আমাৰ আগত প্রকাশ কৰিলে; কাৰণ আত্মাই সকলো বিষয়ৰ
অনুসন্ধান কৰে; এনে কি, ঈশ্বৰৰ নিগূঢ়তত্ত্বৰো অনুসন্ধান কৰে। ১১
কোনো এজনৰ মনৰ কথা তেওঁত থকা আত্মাৰ বাহিৰে আন কোনে
জানিব পাৰে? সেইদৰে ঈশ্বৰৰ গভীৰ বিষয়বোৰো ঈশ্বৰৰ আত্মাত
বাহিৰে, আন কোনেও নাজানে। ১২ আমি জগতৰ আত্মা পোৱা নাই,
কিন্তু ঈশ্বৰৰ পৰা তেওঁৰ আত্মাহে পালোঁ যাতে ঈশ্বৰে অনুগ্রহেৰে
আমাক যি সকলো দান কৰিলে সেইবোৰ বুজি পাওঁ। ১৩ আমি সেই
দানবোৰৰ বিষয়ে কওঁতে, মনুষ্যৰ জ্ঞানৰ পৰা শিক্ষা পাই নকওঁ, কিন্তু
আত্মাৰ পৰা শিক্ষা পাইহে কওঁ। আত্মিক বিষয় বুজাবলৈ আত্মিক
জ্ঞানেৰে কওঁ। ১৪ কিন্তু যি সকলৰ ভিতৰত ঈশ্বৰৰ আত্মা নাই,
তেওঁলোকে ঈশ্বৰৰ আত্মাৰ কথা গ্রাহ্য নকৰে; কিয়নো তেওঁৰ মানত
সেইবোৰ মূৰ্খতা। তেওঁ সেই কথাৰ তত্ত্বও পাব নোৱাৰে। কিয়নো সেই
বিষয়বোৰ মাত্র আত্মিকৰূপেহে বিচাৰ কৰা হয়। ১৫ কিন্তু আত্মিক
ব্যক্তি জনে সকলো বিষয়কে বিচাৰ কৰে; তেওঁ আন কাৰো বিচাৰৰ
অধীন নহয়। ১৬ “কিয়নো, প্রভুৰ মন কোনে বুজি পাব পাৰে যে তেওঁ
প্রভুক নির্দেশ দিব পাৰে?” কিন্তু খ্রীষ্টৰ মন আমাৰ অন্তৰত আছে।

৩ প্রিয় ভাই আৰু ভনী সকল, মই আত্মিক লোকক কোৱাৰ দৰে
আপোনালোকক ক’ব পৰা নাই, বৰং খ্রীষ্টত আপোনালোক শিশু
হোৱাত, আপোনালোকৰ ওচৰত মাংসিক লোকক কোৱাৰ দৰে ক’লো।
২ মই আপোনালোকক টান আহাৰ নুখুৱাই, গাখীৰ খুৱাইছিলোঁ;
কিয়নো তেতিয়া আপোনালোকে খাব নোৱাৰিছিল; এনে কি, এতিয়াও
নোৱাৰে; ৩ কাৰণ আপোনালোক এতিয়াও মাংসিক হৈ আছে।
কিয়নো আপোনালোকৰ মাজত ঈর্ষা আৰু বিবাদ থকাত আপোনালোক
জানো মাংসিক নহয়? মানুহৰ দৰেই আচাৰ-ব্যৱহাৰ নকৰে নে?
৪ কিয়নো কোনোৱে “মই পৌলৰ লোক” আৰু আন কোনোৱে “মই

আপল্লোৰ লোক” বুলি কোৱাত আপোনালোকে জানো জাগতিক
মানুহৰ দৰেই ব্যৱহাৰ কৰা নাই? ৫ তেনেহলে আপল্লো কোন?
পৌলেই বা কোন? এওঁলোক ঈশ্বৰৰ পৰিচাৰক মাথোন; এওঁলোকৰ
যোগেদি আপোনালোক বিশ্বাসী হ’ল। প্ৰভুৱে প্ৰতিজনকে নিজ নিজ
কাৰ্যবোৰ দিলে; ৬ মই ৰুলো, আপল্লোৱে পানী দিলে, কিন্তু ঈশ্বৰেহে
বঢ়ালে। ৭ এতেকে ৰোওঁতা জন একো নহয় আৰু পানী দিওঁতা
জনো একো নহয়; কিন্তু ঈশ্বৰ, যি জনে বৃদ্ধি কৰে, তেৱেঁই সকলো।
৮ যি জনে ৰুৱে আৰু যি জনে পানী দিয়ে, দুয়ো এক। তেওঁলোক
প্ৰতিজনে নিজৰ কৰ্ম অনুসাৰে নিজৰ পুৰস্কাৰ পাব। ৯ কিয়নো আমি
পৰস্পৰে ঈশ্বৰৰ সহকৰ্মী। আপোনালোক ঈশ্বৰৰ শস্যক্ষেত্ৰ, ঈশ্বৰে
সজা গৃহস্বৰূপ। ১০ ঈশ্বৰৰ যি অনুগ্ৰহ মোক দিয়া হ’ল, তাৰ দ্বাৰাই দক্ষ
ঘৰ-সাজোঁতাৰ দৰে মই ভিত্তিমূল স্থাপন কৰিলোঁ আৰু তাৰ ওপৰত
আনে সাজে। কিন্তু কেনেকৈ তেওঁ তাৰ ওপৰত সাজিছে, সেই বিষয়ত
প্ৰত্যেকেই যেন সাৱধান হয়। ১১ কিয়নো যি ভিত্তি আগেয়ে স্থাপন
কৰা হ’ল, তাৰ বাহিৰে আন ভিত্তিমূল কোনেও স্থাপন কৰিব নোৱাৰে;
যীচু খ্ৰীষ্টই হৈছে সেই ভিত্তিমূল। ১২ এই ভিত্তিমূলৰ ওপৰত যদি সোণ,
ৰূপ, মূল্যবান ৰত্ন, কাঠ, খেৰ বা নৰাৰে যদি কোনোৱে সাজে, ১৩
তেনেহলে তেওঁৰ কৰ্ম প্ৰকাশিত হ’ব; কিয়নো সেই দিনৰ পোহৰে তাক
প্ৰকাশ কৰিব। কাৰণ সেইদিন অগ্নিত প্ৰকাশিত হ’ব; তাতে প্ৰতিজনৰ
কৰ্ম কেনেকুৱা, অগ্নিয়ে নিজেই তাক পৰীক্ষা কৰিব। ১৪ তাৰ ওপৰত
সজা কোনো জনৰ কৰ্ম যদি ৰয়, তেনেহলে তেওঁ পুৰস্কাৰ পাব। ১৫
আৰু কোনো জনৰ সজা কৰ্ম যদি পোৰে, তেনেহলে তেওঁৰ হানি হ’ব;
অৱশ্যে তেওঁ নিজে উদ্ধাৰ পাব, যদিও তেওঁৰ অৱস্থা এনে লোকৰ দৰে
হব, যি জনে অগ্নিৰ মাজেদি পাৰ হৈ ৰক্ষা পাব। ১৬ আপোনালোক যে
ঈশ্বৰৰ মন্দিৰ, আৰু ঈশ্বৰৰ আত্মা যে আপোনালোকত নিবাস কৰে,
ইয়াক আপোনালোকে নাজানে নে? ১৭ কোনোৱে যদি ঈশ্বৰৰ মন্দিৰ
নষ্ট কৰে, তেনেহলে ঈশ্বৰে তেওঁকো নষ্ট কৰিব; কিয়নো ঈশ্বৰৰ মন্দিৰ
পবিত্ৰ আৰু আপোনালোকো তেনে পবিত্ৰ। ১৮ কোনেও নিজকে নিজে
নুভুলাওক। আপোনালোকৰ মাজৰ কোনোৱে যদি এই যুগৰ কথাত

নিজকে জ্ঞানী বুলি ভাবে, তেনেহলে তেওঁ জ্ঞানী হ'বলৈ মূৰ্খ হওক।
(aiōn g165) ১৯ কাৰণ ঈশ্বৰৰ দৃষ্টিত এই জগতৰ জ্ঞান মূৰ্খতাস্বৰূপ।
কিয়নো লিখা আছে, 'তেওঁ জ্ঞানী সকলক তেওঁলোকৰ ধূৰ্ত্ততাত ধৰে'।
২০ পুনৰায়, "জ্ঞানী সকলৰ তৰ্ক-বিতৰ্ক অসাৰ বুলি প্ৰভুৱে জানে।"
২১ এতেকে কোনেও যেন মানুহক লৈ গৰ্ব নকৰে! কিয়নো সকলো
আপোনালোকৰেই; ২২ পৌল, আপল্লো বা কৈফাই হওক নাইবা এই
জগত, জীৱন বা মৃত্যুয়েই হওক, বৰ্তমান বা ভবিষ্যতৰ সকলো বিষয়,
এই সকলো আপোনালোকৰ; ২৩ আপোনালোক খ্ৰীষ্টৰ আৰু খ্ৰীষ্ট
ঈশ্বৰৰ।

**4** লোক সকলৰ মাজত আমাৰ পৰিচয় এয়ে হওক যে, আমি খ্ৰীষ্টৰ
সেৱক আৰু ঈশ্বৰৰ নিগূঢ় তত্ত্বৰূপ ধনৰ অধ্যক্ষ। ২ কিন্তু অধ্যক্ষ
জন যেন বিশ্বাসী হয়, মানুহে এনে গুণ বিচাৰে। ৩ মোৰ বিষয়ে
আপোনালোকৰ দ্বাৰা বা আন কোনো মানুহৰ বিচাৰ সভাৰ দ্বাৰা যে,
মোৰ বিচাৰ হয়, ই মোৰ বাবে অতি সামান্য কথা। কিয়নো মই মোৰ
নিজৰেই বিচাৰ নকৰোঁ। ৪ কিয়নো মই মোৰ নিজৰ বিৰুদ্ধে থকা
একো অভিযোগৰ বিষয়ে নাজানো। কিন্তু তাৰ অৰ্থ এয়ে নহয় যে, মই
নিৰ্দ্দোষী বুলি প্ৰমাণিত; কাৰণ যি জনে মোৰ সোধ-বিচাৰ কৰে, তেওঁ
প্ৰভু। ৫ এতেকে আপোনালোকে প্ৰভু অহাৰ পূৰ্বেই অৰ্থাৎ সেই ঠিক
কৰা সময়ৰ আগেয়ে একো বিষয়ৰে বিচাৰ নকৰিব। তেৱেঁই আন্ধাৰৰ
গুপুত বিষয়বোৰ পোহৰলৈ আনিব আৰু হৃদয়ৰ উদ্দেশ্যবোৰো প্ৰকাশ
কৰিব। সেই কালত প্ৰতিজনে ঈশ্বৰৰ পৰা নিজৰ নিজৰ প্ৰশংসা
পাব। ৬ প্ৰিয় ভাই আৰু ভনী সকল, আপোনালোকৰ কাৰণে মই
মোৰ নিজৰ আৰু আপল্লোৰ উদাহৰণ দি এই সকলো কথা ক'লো
যাতে আপোনালোকে আমাৰ পৰা এই শিক্ষা পাই যে, "শাস্ত্ৰত যি
যি লিখা আছে তাক অতিক্ৰম কৰি যাব নালাগে।" আপোনালোকৰ
কোনেও যেন এজনৰ পক্ষ হৈ আন জনৰ বিপক্ষে গৰ্ব নকৰে। ৭
কিয়নো আপুনি যে আন লোক সকলতকৈ বিশিষ্ট সেয়া কোনে দেখা
পায়? ঈশ্বৰৰ পৰা যি দান হিচাপে পোৱা নাই, তেনে কি বস্তুৰেই
বা আপোনাৰ আছে? আপুনি যেতিয়া দান হিচাপে পাই, তেতিয়া

দান যেন পোৱা নাই, এনে দ্বিধাবোধ কৰি অহংকাৰ কিয় কৰে?
৮ আপোনালোকৰ যি প্ৰয়োজন সেই সকলো পাই আপোনালোক
এতিয়া পূৰ্ণ হৈ আছে! এতিয়া আপোনালোক ধনৱন্ত হৈছে! আমাক
বাদ দিয়েই আপোনালোকে ৰাজত্ব পাইছে! অৱশ্যে, আপোনালোকে
ৰাজত্ব পালে ভালেই হয়, তেনেহলে আপোনালোকৰ সৈতে আমিও
ৰাজত্ব পাব পাৰোঁ। ৯ কাৰণ, মোৰ ধাৰণা হয়, পাঁচনি সকল যি
আমি, ঈশ্বৰে আমাক বধ কৰিবলৈ নিয়া লোক সকলৰ দৰে সমদলত
শেষৰ শাৰীত প্ৰদৰ্শন কৰি ৰাখিছে। সেয়েহে আমি জগতৰ, স্বৰ্গৰ
দূতৰ আৰু মনুষ্যৰ আগত এক কৌতুকৰ পাত্ৰ হৈছোঁ। ১০ আমি
খ্ৰীষ্টৰ অৰ্থে মূৰ্খ হৈছোঁ, কিন্তু আপোনালোক খ্ৰীষ্টত বুদ্ধিমন্ত হৈছে।
আমি দূৰ্বল, কিন্তু আপোনালোক বলৱন্ত। আপোনালোক মান্যৱন্ত,
কিন্তু আমি অনাদৃত। ১১ এই সময়লৈকে আমি ভোক আৰু পিয়াহত
কষ্ট পাইছো। পিন্ধনত আমাৰ জীৰ্ণ বস্ত্ৰ, আমাক নিষ্ঠুৰভাৱে আঘাত
কৰা হৈছে, আমি গৃহহীন। ১২ আমি নিজ হাতেৰে কাম কৰি কঠোৰ
পৰিশ্ৰম কৰিছোঁ। লোকে যেতিয়া আমাক নিন্দা কৰে, আমি আশীৰ্বাদ
কৰিছোঁ; যেতিয়া তাড়না কৰে, আমি সহন কৰিছোঁ; ১৩ কোনোৱে
অপবাদ দিলে, বিনম্ৰতাৰে কথা পাঁতো। এতিয়ালৈকে আমি যেন
জগতৰ আৱৰ্জনা আৰু আটাইতকৈ মলিয়ন বস্তুস্বৰূপ হৈ আছোঁ। ১৪
মই আপোনালোকলৈ যে এইবোৰ কথা লিখি লাজ দিছোঁ, এনে নহয়;
কিন্তু মোৰ প্ৰিয় সন্তান বুলি চেতনাহে দিছোঁ। ১৫ কিয়নো খ্ৰীষ্টত
যদিও আপোনালোকৰ দহ হাজাৰ গুৰু থাকিব পাৰে, কিন্তু পিতৃ
অনেক নাই; কাৰণ খ্ৰীষ্ট যীচুত শুভবাৰ্তাৰ দ্বাৰা ময়েই আপোনালোকৰ
পিতৃ স্বৰূপ হ'লো। ১৬ এতেকে বিনয় কৰোঁ, আপোনালোক মোৰ
অনুকাৰী হওক। ১৭ এই অভিপ্ৰায়েৰে মই তীমথিয়ক আপোনালোকৰ
ওচৰলৈ পঠিয়াইছোঁ। তেওঁ প্ৰভুত মোৰ প্ৰিয় আৰু বিশ্বাসী পুত্ৰ; তেওঁ
আপোনালোকক খ্ৰীষ্ট সম্বন্ধীয় মোৰ পন্থাবোৰ সোঁৱৰাই দিব, যিবোৰ
শিক্ষা মই সকলো ঠাইতে সকলো মণ্ডলীতে দি থাকোঁ। ১৮ মই
আপোনালোকৰ ওচৰলৈ নাই যোৱা বাবে কোনো কোনো অহংকাৰী
হৈ উঠিছে। ১৯ কিন্তু প্ৰভুৰ ইচ্ছা হ'লে, মই আপোনালোকৰ ওচৰলৈ

সোনকালে যাম; তেতিয়া যি সকল অহংকাৰী হৈ উঠিছে, তেওঁলোকৰ
কথা নহয়, কিন্তু পৰাক্ৰম জানিম। ২০ কিয়নো ঈশ্বৰৰ ৰাজ্য কথাত
নহয়, পৰাক্ৰমতহে হয়। ২১ আপোনালোকৰ কি ইচ্ছা? মই লাঠি লৈ
আপোনালোকৰ ওচৰলৈ যামনে? নে প্ৰেমেৰে আৰু মৃদুতাৰ আত্মাৰে
যাম?

**৫** আমি শুনিছোঁ যে, আপোনালোকৰ মাজত ব্যভিচাৰ আছে; যি
ব্যভিচাৰী কাৰ্য অনা-ইহুদী সকলৰ মাজতো নাই। এনে কি শুনিবলৈ
পাইছোঁ আপোনালোকৰ মাজৰ এজনে নিজৰ পিতৃৰ ভাৰ্য্যাকে ৰাখিছে।
২ আপোনালোকে তথাপি নিজৰ বিষয়ে অহংকাৰহে কৰি আছে! ইয়াৰ
পৰিৱৰ্তে আপোনালোকে জানো শোক কৰা উচিত নাছিল? এনে কৰ্ম
যি জন ব্যক্তিয়ে কৰিছে, তেওঁক যেন আপোনালোকৰ মাজৰ পৰা
বাহিৰ কৰি দিয়া হয়। ৩ শৰীৰেৰে অনুপস্থিত থাকিলেও, আত্মাত
মই আপোনালোকৰ লগত আছোঁ; যি ব্যক্তিয়ে এনে প্ৰকাৰৰ কাৰ্য
কৰিছে, উপস্থিত থকাৰ দৰে মই তেওঁৰ বিষয়ে বিচাৰ কৰিলোঁ। ৪
আপোনালোকে যেতিয়া আমাৰ প্ৰভু যীচুৰ নামেৰে একত্ৰিত হয়,
মোৰ আত্মাও আমাৰ প্ৰভু যীচুৰ শক্তিত সেই ঠাইত থকাত মই
এই মানুহৰ বিচাৰ কৰিলোঁ। ৫ তেনেকুৱা মানুহক মাংসৰ বিনাশৰ
অৰ্থে চয়তানৰ হাতত শোধাই দিয়া উচিত, যাতে প্ৰভু যীচুৰ দিনা
তেওঁৰ আত্মাই পৰিত্ৰাণ পায়। ৬ আপোনালোকে অহংকাৰ কৰা ভাল
নহয়; অলপ খমিৰে যে সনা পিঠাগুড়িৰ গোটেই লদা ফুলাই, ইয়াক
আপোনালোকে নাজানে নে? ৭ নিজকে শুচি কৰি পুৰণি খমিৰ দূৰ
কৰি পেলোওক যাতে, আপোনালোক সনা পিঠাগুড়িৰ নতুন লদা হ'ব
পাৰে; কাৰণ আপোনালোকতো এতিয়া খমিৰ নোহোৱা পিঠাৰ দৰে।
পুৰণি খমিৰ দূৰ কৰক। কাৰণ আমাৰ নিস্তাৰপৰ্বৰ মেৰ পোৱালিৰূপে
যি জনক বলিদান কৰা হ'ল, তেওঁ খ্ৰীষ্ট। ৮ এতেকে আহক, আমি
পুৰণি খমিৰৰ পিঠাৰে অৰ্থাৎ পাপ স্বভাৱ আৰু দুষ্টতাৰে নহয়, কিন্তু
সৰলতা আৰু সত্যতাৰ খমিৰবিহীন পিঠাৰে পৰ্ব পালন কৰোঁহক।
৯ মই মোৰ পত্ৰত লিখিছিলো যে, আপোনালোকে যেন ব্যভিচাৰী
মানুহৰে সৈতে আলাপ-ব্যৱহাৰ নকৰে। ১০ কিন্তু সেই বুলিয়েই যে এই

জগতৰ ব্যভিচাৰী, লোভী, প্ৰৱঞ্চক বা মূৰ্তিপূজক লোক সকলৰ সৈতে
একেবাৰে আলাপ-ব্যৱহাৰ কৰিব নালাগে, এনে নহয়; কাৰণ সেয়ে
হ'লে, আপোনালোক জগতৰে বাহিৰ হব লগা হব। ১১ মই এতিয়া
আপোনালোকলৈ লিখিছোঁ যে, খ্ৰীষ্টত ভাই বা ভনী বুলি পৰিচিত
কোনো মানুহ যদি ব্যভিচাৰী, লুভীয়া, মূৰ্তিপূজক, নিন্দক, মতলীয়া,
প্ৰৱঞ্চক হয়, তেনেহলে তেওঁৰে সৈতে আলাপ-ব্যৱহাৰ, এনে কি,
খোৱা বোৱাও নকৰিব। ১২ কাৰণ মণ্ডলীৰ বাহিৰৰ মানুহৰ বিচাৰ
কৰিবলৈ মোৰ কি দৰকাৰ? মণ্ডলীৰ ভিতৰৰ মানুহৰ বিচাৰ জানো
আপোনালোকে নকৰে? ১৩ কিন্তু বাহিৰৰ মানুহৰ বিচাৰ ঈশ্বৰেহে
কৰে। "আপোনালোকৰ মাজৰ পৰা সেই দুষ্ট লোকক বাহিৰ কৰি
দিয়ক।"

৬ আপোনালোকৰ মাজত কাৰোবাৰ যদি আন এজনৰ বিৰুদ্ধে কোনো
অভিযোগ কৰাৰ কাৰণ থাকে, তেনেহলে তেওঁ কোন সাহসত ঈশ্বৰৰ
পবিত্ৰ লোকৰ ওচৰলৈ নাযায়, এজন অবিশ্বাসী বিচাৰকৰ অৰ্থাৎ
অধৰ্মি লোকৰ কাষলৈ গৈ বিচাৰৰ সমাধান বিচাৰে? ২ আপোনালোকে
জানো নাজানে, যে ঈশ্বৰৰ পবিত্ৰ লোক সকলেই জগতৰ সোধ-বিচাৰ
কৰিব? যেতিয়া আপোনালোকেই জগতৰ বিচাৰ কৰিব, তেনেহলে
এতিয়া আপোনালোকে জানো অতি সামান্য বিষয়বোৰ বিচাৰ কৰিব
নোৱাৰে? ৩ আপোনালোকে নাজানে নেকি যে, আমি স্বৰ্গৰ দূত
সমূহৰো বিচাৰ কৰিম? যদি সেয়ে হয়, তেনেহলেতো এই জীৱন
সম্পৰ্কীয় বিষয়বোৰ অতি সাধাৰণ কথা। ৪ এতেকে আপোনালোকৰ
দ্বাৰায়েই যদি দৈনিক জীৱন সম্পৰ্কীয় বিষয়বোৰৰ সোধ-বিচাৰ
কৰা হয়, তেনেহলে যি সকল মণ্ডলীৰ লোক নহয়, এনে লোকক
আপোনালোকে কিয় বিচাৰকৰ আসনত বহুৱাই? ৫ আপোনালোকক
লাজ দিবৰ কাৰণে মই এই কথা কৈছোঁ। আপোনালোকৰ মাজত সঁচাই
এনে কোনো জ্ঞানৱান লোক এজনো নাই নেকি, যি জনে ভাই, ভনী
সকলৰ মাজত বিবাদ হ'লে, সেইবোৰ সোধ-বিচাৰ কৰি নিস্পত্তিৰ
বাবে ঠাৱৰ কৰিব পাৰে? ৬ কিন্তু তাৰ সলনি এনেকুৱা হয় যে, এজন
বিশ্বাসী ভায়ে আন বিশ্বাসী ভাইৰ বিৰুদ্ধে আদালতলৈ যায় গোচৰ

দিয়ে, তাকো অবিশ্বাসী সকলৰ আগত। ৭ আপোনালোক খ্ৰীষ্টিয়ান
সকলে ইজনে সিজনৰ বিৰুদ্ধে গোচৰ দি আছে, তাতে এটাই প্ৰমাণ
হয় যে আপোনালোক পৰাজিত হৈ আছে। তাতকৈ বৰঞ্চ অন্যায় সহন
নকৰে কিয়? নিজৰো হানি হবলৈ কিয় নিদিয়ে? ৮ কিন্তু তাৰ সলনি
আপোনালোকে নিজেই অন্যায় কৰি আছে আৰু আন লোকক ঠগাই
আছে; তেওঁলোক আপোনালোকৰ নিজৰেই ভাই-ভনী। ৯ যি সকলে
অধৰ্ম আচৰণ কৰে তেওঁলোক যে ঈশ্বৰৰ ৰাজ্যৰ অধিকাৰী নহ'ব,
সেই সেই বিষয়ে নাজানে নেকি? আপোনালোক ভ্ৰান্ত নহ'ব; যি সকল
অনৈতিক যৌনাচাৰত ব্যভিচাৰী, অধৰ্মি, মূৰ্তিপূজক, পৰস্ত্ৰীগামী, পুৰুষ
বেশ্যা, পুংমৈথুনী আদি অভ্যাসত লিপ্ত হয়, ১০ যি সকল চোৰ, লুভীয়া,
মতলীয়া, পৰনিন্দাকাৰক আৰু প্ৰতাৰক, তেওঁলোক ঈশ্বৰৰ ৰাজ্যৰ
অধিকাৰী নহ'ব। ১১ আপোনালোকো কোনো কোনো তেনেকুৰা
লোক আছিল; কিন্তু এতিয়া আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ নামেৰে আৰু
ঈশ্বৰৰ আত্মাৰে আপোনালোক ধৌত হ'ল, পবিত্ৰীকৃত হ'ল, আৰু
ধাৰ্মিক বুলি গণিত হ'ল। ১২ "মোলৈ সকলো বিধান সন্মত", কিন্তু
সকলোৰেই হিতজনক নহয়। সকলো কৰিবলৈ মোৰ অধিকাৰ আছে,
কিন্তু একোৰে মই দাস নহ'ম। ১৩ "পেটৰ কাৰণেই আহাৰ; আহাৰৰ
কাৰণেও পেট"; কিন্তু ঈশ্বৰে এই দুয়োকো লোপ কৰিব। তথাপি
শৰীৰ ব্যভিচাৰৰ কাৰণে নহয়, প্ৰভুৰ কাৰণেহে আৰু প্ৰভুও শৰীৰৰ
কাৰণেহে; ১৪ ঈশ্বৰে নিজৰ শক্তিৰে প্ৰভুক তুলিলে আৰু আমাকো
তুলিব। ১৫ আপোনালোকৰ শৰীৰ যে, খ্ৰীষ্টৰ অঙ্গ-প্ৰত্যঙ্গ, ইয়াক
আপোনালোকে নাজানে নে? তেনেহলে, খ্ৰীষ্টৰ অঙ্গ-প্ৰত্যঙ্গবোৰ লৈ,
বেশ্যাৰ দেহৰ সৈতে যুক্ত কৰিব নে? এনে নহওক। ১৬ যি জন
বেশ্যাত আসক্ত লোক, তেওঁ তাইৰে সৈতে এক দেহ হয়, ইয়াক
আপোনালোকে নাজানে নেকি? কিয়নো শাস্ত্ৰত আছে, "তেওঁলোক
দুয়ো এক দেহ হ'ব"। ১৭ কিন্তু যি জন প্ৰভুত আসক্ত লোক, তেওঁ
তেৰেঁ সৈতে এক আত্মা হয়। ১৮ ব্যভিচাৰৰ পৰা পলাওক। মানুহে যি
পাপ কাৰ্য কৰে, সেইবোৰ তেওঁৰ শৰীৰৰ বাহিৰত কৰে; কিন্তু যি
কোনোৱে যৌনপাপ কৰে, তেওঁ নিজৰ শৰীৰৰ বিৰুদ্ধেই পাপ কৰে।

১৯ আপোনালোকৰ শৰীৰ যে ঈশ্বৰৰ মন্দিৰ আৰু ঈশ্বৰৰ পৰা পোৱা
পবিত্ৰ আত্মা যে আপোনালোকৰ অন্তৰত থাকে, ইয়াক আপোনালোকে
নাজানে নে কি? আপোনালোক এতিয়া নিজৰ নহয়। ২০ কিয়নো
আপোনালোকক মূল্য দি কিনা হৈছে; এই হেতুকে আপোনালোকৰ
শৰীৰৰ দ্বাৰা ঈশ্বৰক মহিমান্বিত কৰক।

**৭** এতিয়া আপোনালোকে মোলৈ যি বিষয়ে লিখিছিল, সেই বিষয়ে
উত্তৰ দিওঁ; এজন পুৰুষে বিয়া নকৰাই ভাল; ২ কিন্তু নানান ব্যভিচাৰ
কাৰ্যত পৰীক্ষিত নহ'বলৈ প্ৰতিজন পুৰুষৰ নিজা ভাৰ্যা হওক আৰু প্ৰতি
গৰাকী মহিলাৰ নিজা স্বামী হওক। ৩ শৰীৰৰ অধিকাৰ হিচাপে স্বামীয়ে
ভাৰ্যাক আৰু সেইদৰে ভাৰ্য্যায়ো স্বামীক তেওঁৰ পাবলগীয়া দিয়ক। ৪
ভাৰ্য্যাৰ নিজৰ শৰীৰৰ ওপৰত কোনো ক্ষমতা নাই, স্বামীৰহে আছে;
সেইদৰে স্বামীৰো নিজ শৰীৰৰ ওপৰত কোনো ক্ষমতা নাই, ভাৰ্যাৰহে
আছে। ৫ আপোনালোকে ইজনে সিজনক শৰীৰৰ মিলনত বঞ্চিত
নকৰিব; কেৱল প্ৰাৰ্থনা কৰাৰ বাবে দুয়োৰে এক পৰামৰ্শ হৈ অলপ
সময়ৰ কাৰণে পৃথকে থাকিব পাৰে; পাছত পুনৰ একেলগে মিলিত
হ'ব, যাতে ইন্দ্ৰিয়ৰ আত্মসংযমৰ অভাৱত চয়তানে আপোনালোকক
পৰীক্ষাত নেপেলায়। ৬ মই এই সকলো কথা আপোনালোকক আজ্ঞাৰ
দিয়াৰ দৰে যে কৈছোঁ, এনে নহয়; কিন্তু অনুমতিহে মাথোন দিছোঁ। ৭
মোৰ ইচ্ছা, সকলোৱেই যেন মোৰ নিচিনা হয়। কিন্তু প্ৰত্যেকে ঈশ্বৰৰ
পৰা ভিন্ন ভিন্ন বৰ দান পাইছে, এজনে এক প্ৰকাৰে, আন জনে আন
প্ৰকাৰে। ৮ অবিবাহিত আৰু বিধৱা সকলক মই কওঁ, তেওঁলোকে মোৰ
নিচিনাকৈ যদি থাকিব পাৰে, তেনেহলে ভাল। ৯ কিন্তু ইন্দ্ৰিয়-দমন
কৰিব নোৱাৰিলে, বিয়া হোৱা উচিত; কিয়নো কামাগ্নিত জ্বলাতকৈ
বিয়া কৰোঁৱাই ভাল। ১০ এতিয়া বিবাহিত লোক সকলক মই এই
আজ্ঞা দিওঁ - অৱশ্যে মই নহয়, এই আজ্ঞা প্ৰভুৰেই, “কোনো ভাৰ্যাই
যেন স্বামীক পৰিত্যাগ নকৰে।” ১১ কিন্তু যদি তেওঁ স্বামীক এৰি
গুছি যায়, তেনেহলে তেওঁ বিয়া নকৰাকৈ থকা উচিত অথবা তেওঁ
যেন স্বামীৰ সৈতে মিলন হওক; — আৰু “স্বামীয়েও নিজ ভাৰ্যাক
পৰিত্যাগ নকৰক”। ১২ এতিয়া আন সকলোলৈকে অৱশ্যে প্ৰভুৱে

নহয়, কিন্তু মইহে কওঁ, যদি কোনো ভাইৰ খ্ৰীষ্টত বিশ্বাস নকৰা ভাৰ্যা
থাকে আৰু তেওঁ যদি স্বামীৰ সৈতে থাকিবলৈ সন্মত হয়, তেনেহলে
স্বামীয়ে তেওঁক পৰিত্যাগ নকৰক। ১৩ আকৌ কোনো মহিলাৰ যদি
অবিশ্বাসী স্বামী থাকে আৰু সেই স্বামী যদি তেওঁৰ সৈতে থাকিবলৈ
সন্মত হয়, তেনেহলে তেওঁ যেন সেই স্বামীক পৰিত্যাগ নকৰে। ১৪
কিয়নো বিশ্বাসী ভাৰ্যাৰ যোগেদিয়ে সেই অবিশ্বাসী স্বামীয়ে আৰু
বিশ্বাসী স্বামীৰ যোগেদিয়ে সেই বিশ্বাস নকৰা ভাৰ্যাই পবিত্ৰতা লাভ
কৰে; এনে নহ'লে, আপোনালোকৰ সন্তানবোৰ অশুচি হ'লহেঁতেন;
কিন্তু এতিয়া সিহঁত পবিত্ৰ সন্তান। ১৫ তথাপি অবিশ্বাসী সঙ্গীজনে
বিশ্বাসীজনক যদি এৰি গুছি যায়, তেনেহলে তেওঁ যাওঁক। এনে
কথাত ভাই বা ভনী গৰাকী তেওঁলোকৰ প্ৰতিজ্ঞাৰ বাধ্য-বাধকতাৰ
কাৰণে দাসত্বত নাথাকিব। ঈশ্বৰে আমাক শান্তিৰে থাকিবৰ কাৰণে
আমন্ত্ৰণ কৰিছে। ১৬ হে বিশ্বাসী ভাৰ্যা, তোমাৰ স্বামীক তুমি পৰিত্ৰাণ
কৰাব পাৰিবা নে, সেই কথা তুমি কেনেকৈ জানা? হে বিশ্বাসী স্বামী,
তোমাৰ ভাৰ্যাক তুমিও পৰিত্ৰাণ কৰাব পাৰিবা নে, সেই কথা তুমি
কেনেকৈ জানা? ১৭ প্ৰভুৱে যাক যেনে দায়িত্ব দিছে আৰু ঈশ্বৰে
যাক যিহলৈ আমন্ত্ৰণ কৰিছে, প্ৰতিজনে সেই অনুসাৰেই জীৱন-যাপন
কৰক। সকলো মণ্ডলীতে মই এই নিয়ম কৰিছোঁ। ১৮ কোনোবা চুন্নৎ
হোৱা অৱস্থাত আমন্ত্ৰিত হৈছে নেকি? তেওঁ চুন্নৎ হোৱাতে থাকক;
কোনোবা চুন্নৎ নোহোৱা অৱস্থাত আমন্ত্ৰিত হৈছে নেকি? তেওঁৰ চুন্নৎ
হোৱাৰ প্ৰয়োজন নাই। ১৯ চুন্নৎ হওক বা নহওক, সেইটো গুৰুত্বপূৰ্ণ
বিষয় নহয়, কিন্তু ঈশ্বৰৰ আজ্ঞা পালন কৰাই হ'ল সাৰ কথা। ২০
ঈশ্বৰে যাক যি অৱস্থাতে আমন্ত্ৰণ কৰিছে, তেওঁ সেই অৱস্থাতে থাকক।
২১ যেতিয়া ঈশ্বৰে তোমাক আমন্ত্ৰণ কৰিছিল, তেতিয়া তুমি দাস
আছিলা নেকি? ইয়াকে লৈ একো চিন্তা নকৰিবা; অৱশ্যে যদি মুক্ত
হোৱাৰ সুযোগ পোৱা, তাক গ্ৰহণ কৰা। ২২ দাস অৱস্থাত যি জনক
প্ৰভুৱে আমন্ত্ৰণ কৰিলে, তেওঁ প্ৰভুৰ মুক্ত লোক। সেইদৰে, যি জনক
মুক্ত অৱস্থাত বিশ্বাসলৈ আমন্ত্ৰণ কৰিলে, তেওঁ খ্ৰীষ্টৰ দাস। ২৩
মূল্য দি আপোনালোক সকলোকে কিনা হৈছে, সেয়ে মানুহৰ দাস

নহ'ব। ২৪ ভাই-ভনী সকল, আমি প্ৰতিজন যি অৱস্থাত বিশ্বাসলৈ আমন্ত্ৰিত হলোঁ, আমি সেই অৱস্থাতে ঈশ্বৰে সৈতে থাকোঁহক। ২৫ যি সকলৰ বিয়া হোৱা নাই, তেওঁলোকৰ বিষয়ে মই প্ৰভুৰ পৰা কোনো আজ্ঞা পোৱা নাই; তথাপি এই বিষয়ত এজন বিশ্বাসযোগ্য লোক হিচাপে প্ৰভুৰ দয়াত মই নিজস্ব মত প্ৰকাশ কৰিছোঁ। ২৬ সেয়ে মোৰ ভাব হয়, বৰ্তমান এই সঙ্কটময় সময়ৰ কাৰণে এজন ব্যক্তিৰ পক্ষে তেওঁ যেনে আছে, তেনে থকাই ভাল। ২৭ তুমি কোনো মহিলাৰে সৈতে প্ৰতিজ্ঞাৰ দ্বাৰা বিবাহ বন্ধনত আছা নেকি? তেনেহলে মুক্ত হ'বলৈ চেষ্টা নকৰিবা। তুমি ভাৰ্য্যাৰ পৰা মুক্ত হৈ আছা নেকি অৰ্থাৎ অবিবাহিত নেকি? তেনেহলে ভাৰ্যা পাবলৈ চেষ্টা নকৰিবা। ২৮ কিন্তু তুমি যদি বিয়াও কৰোঁৱা, তাত তোমাৰ কোনো পাপ নহয়। কোনো কুমাৰীয়ে যদি বিয়া কৰাই, তেনেহলে তেৰোঁ পাপ নকৰে। কিন্তু যি সকলে বিয়া কৰাই, তেওঁলোকে জীৱনত নানা ধৰণৰ সমস্যাত পৰিব লাগিব। মই এই সকলোৰে পৰা আপোনালোকক ৰেহাই দিব বিচাৰোঁ। ২৯ কিন্তু, হে ভাই-ভনী সকল, মই ইয়াকে কওঁ, সময় কম। এতিয়াৰ পৰা যি সকলৰ ভাৰ্যা আছে, তেওঁলোকে এনেভাৱে চলক যেন তেওঁলোকৰ ভাৰ্যা নাই; ৩০ যি সকলে ক্ৰন্দন কৰিছে, তেওঁলোকে এনেভাৱে চলক যেন ক্ৰন্দন কৰা নাই; যি সকলে আনন্দ কৰিছে, তেওঁলোকে এনেভাৱে চলক যেন আনন্দ কৰা নাই; যি সকলে কোনো বস্তু ক্ৰয় কৰিছে, তেওঁলোকে এনেভাৱে চলক যেন তেওঁলোকৰ নিজৰ একো নাই। ৩১ যি সকল জাগতিক বিষয়ত জড়িত, তেওঁলোকে যেন সম্পূৰ্ণভাৱে তাত আসক্ত নহয়; কাৰণ এই জগতৰ ধাৰা লুপ্ত হ'ব ধৰিছে।। ৩২ মই বিচাৰো, আপোনালোকে যেন চিন্তা-ভাৱনাৰ পৰা মুক্ত হৈ থাকিব পাৰে। অবিবাহিত জনে প্ৰভুৰ বিষয়বোৰ ভাৱে; তেওঁ চিন্তা কৰে কেনেকৈ তেওঁ প্ৰভুক সন্তুষ্ট কৰিব। ৩৩ কিন্তু বিবাহিত পুৰুষে সংসাৰৰ বিষয়বোৰ ভাৱে; তেওঁ চিন্তা কৰে কেনেকৈ ভাৰ্যাক সন্তুষ্ট কৰিব। ৩৪ তেওঁ ঈশ্বৰ আৰু ভাৰ্যা দুয়ো দিশত ভাগ হয়। সেইদৰে এগৰাকী অবিবাহিতা বা কুমাৰী মহিলাই প্ৰভুৰ বিষয়ে চিন্তা কৰে যেন তেওঁ দেহ আৰু আত্মাত পবিত্ৰ হয়। কিন্তু বিবাহিতা মহিলাই

সংসাৰৰ বিষয়বোৰ ভাৱে; তেওঁ চিন্তা কৰে কেনেকৈ স্বামীক সন্তুষ্ট
কৰিব। ৩৫ মই আপোনালোকৰ হিতৰ অৰ্থেই এই কথা কৈছোঁ।
আপোনালোকৰ ওপৰত কোনো বিধিৰ বোজা জাপি দিবলৈ নহয়,
কিন্তু আপোনালোকে যেন শিষ্ট আচৰণ কৰে আৰু মনোযোগেৰে
প্ৰভুত আসক্ত হৈ থাকে। ৩৬ তথাপি যদি কোনো মানুহৰ বোধ হয়
যে তেওঁৰ কুমাৰী বাগদত্তাৰ প্ৰতি তেওঁ ন্যায় আচৰণ কৰা নাই, যদি
তাইৰ বিয়াৰ বয়স পাৰ হৈ গৈছে আৰু যদি তেওঁৰ বিয়া হোৱাৰ অতি
প্ৰয়োজন বোধ হয়, তেনেহলে তেওঁ নিজৰ ইচ্ছামতে তাইক বিয়া
কৰক; তাত পাপ নহয়। ৩৭ কিন্তু যদি তেওঁ বিয়া নকৰাবলৈ মনতে
সিদ্ধান্ত লয়, তেনেহলে তেওঁৰ ওপৰত কোনো চাপ নাই৷ তেওঁ নিজৰ
ইচ্ছাক নিয়ন্ত্ৰণ কৰিব পাৰে, আৰু তেওঁ যদি তাইক কুমাৰীভাৱে ৰাখিব
বিচাৰে, তেনেহলে তেওঁ ঠিক কাৰ্যই কৰে। ৩৮ এতেকে যি জনে
তেওঁৰ বাগদত্তা কুমাৰীক বিয়া কৰায়, তেওঁ ঠিক কাৰ্যই কৰে আৰু
বিয়া নকৰা জনে তাতকৈয়ো ভাল কৰ্ম কৰে। ৩৯ স্বামী যিমান দিন
জীয়াই থাকে, সিমান দিনলৈকে ভাৰ্যা তেওঁৰ বন্ধনত আবদ্ধ থাকে।
কিন্তু তাইৰ স্বামীৰ মৃত্যু হ'লে তেওঁ মুক্ত; তেতিয়া তেওঁ যাকে ইচ্ছা
কৰে, সেই জনলৈকে বিয়া হ'ব পাৰে; অৱশ্যে সেই লোক যেন প্ৰভুত
বিশ্বাসকাৰী হয়। ৪০ কিন্তু মোৰ বিবেচনাত তাই যেনেকৈ আছে যদি
তেনেকৈয়ে থাকে, তেনেহলে আৰু অধিক সুখী হ'ব। মই ভাৱো যে
মোতো ঈশ্বৰৰ আত্মা আছে।

৮ এইবাৰ মই দেৱতাৰ মূৰ্তিলৈ উৎসৰ্গ কৰা প্ৰসাদৰ বিষয়ে কৈছোঁ।
আমি জানো যে "আমাৰ সকলোৰে জ্ঞান আছে"। জ্ঞানে অহংকাৰ
জন্মায়, কিন্তু প্ৰেমে গঢ় দিয়ে। ২ যদি কোনোৱে কিবা বিষয়ত সকলো
জানো বুলি ভাৱে, তেনেহলে তেওঁ যিৰূপে জনা উচিত, সেইভাৱে
এতিয়াও নাজানে। ৩ কিন্তু কোনোৱে যদি ঈশ্বৰক প্ৰেম কৰে,
তেনেহলে ঈশ্বৰে তেওঁক জানে। ৪ মূৰ্তিলৈ উৎসৰ্গ কৰা প্ৰসাদৰ
খোৱাৰ বিষয়ে কওঁ; আমি জানো যে "জগত খনত দেৱতা বুলি
আচলতে একোৱে নাই" আৰু "এজন ঈশ্বৰৰ বাহিৰে আন ঈশ্বৰ নাই"।
৫ কিয়নো স্বৰ্গতে হওক বা পৃথিৱীতে হওক, দেৱ-দেৱী বুলি কোৱা

“বহুতো দেৱতা আৰু বহুতো প্ৰভু” থাকিলেও, ৬ কিন্তু আমাৰ কাৰণে
একমাত্ৰ এজন পিতৃ ঈশ্বৰ আছে। তেওঁৰ পৰাই সকলোবোৰ সৃষ্টি
কৰা হৈছে আৰু আমি তেওঁৰ কাৰণেই জীয়াই আছোঁ। আমাৰ প্ৰভুও
মাত্ৰ এজন। তেওঁ যীচু খ্ৰীষ্ট। তেওঁৰ দ্বাৰাই সকলো সৃষ্ট আৰু আমিও
জীয়াই আছোঁ। ৭ কিন্তু সকলোৰে এনে জ্ঞান নাই; কিয়নো কোনো
লোকৰ পূৰ্বৰ মূৰ্তিপূজাৰ অভ্যাস এতিয়ালৈকে থকাত, তেওঁলোকে
দেৱতালৈ উৎসৰ্গ কৰা খোৱা বস্তু এতিয়াও প্ৰসাদ বুলি খায়; তাতে
তেওঁলোকৰ বিবেক দূৰ্বল হোৱাত, সেয়ে অশুচি হয়। ৮ খোৱা বস্তুৰ
দ্বাৰা আমি ঈশ্বৰৰ আগত গ্ৰহণযোগ্য নহওঁ। আমি নাখালেও আমাৰ
ক্ষতি নহয় বা খালেও আমাৰ লাভ নহয়। ৯ কিন্তু সাৱধান! যি সকল
বিশ্বাসত দুৰ্বল, আপোনালোকৰ এই স্বাধীনতা তেওঁলোকলৈ যেন
উজুটি খুউৰা মূঢ়াস্বৰূপ নহয়। ১০ তোমাৰ জ্ঞান আছে; কিন্তু যি জনৰ
বিবেক দুৰ্বল, তেওঁ যদি তোমাক দেৱতাৰ মন্দিৰত বহি প্ৰসাদ খোৱা
দেখা পায়, তেনেহলে তেওঁ জানো মূৰ্তিলৈ উৎসৰ্গ কৰা খোৱা বস্তু
খাবলৈ উৎসাহিত নহ’ব? ১১ এইভাৱে তোমাৰ জ্ঞানৰ দ্বাৰা সেই দুৰ্বল
বিবেকৰ ভাই বা ভনী, যাৰ কাৰণে খ্ৰীষ্ট মৰিল, তেওঁ বিনষ্ট হয়। ১২
আপোনালোকে আপোনালোকৰ ভাই-ভনী সকলৰ বিৰুদ্ধে এইদৰে
পাপ কৰি তেওঁলোকৰ দূৰ্বল বিবেকত আঘাত কৰিলে, আপোনালোকে
খ্ৰীষ্টৰ বিৰুদ্ধে পাপ কৰা হয়। ১৩ এতেকে খোৱা বস্তুৱে যদি মোৰ
ভাই-ভনীৰ বাবে বিঘিনি স্বৰূপ হয়, তেনেহলে ভাই-ভনীৰ পাপৰ
কাৰণ নহবলৈ মই পুনৰ কেতিয়াও মঙহ নাখাওঁ। **(aiōn g165)**

**৯** মই স্বাধীন নহয় নে? মই পাঁচনি নহয় নে? আমাৰ প্ৰভু যীচুক মই
জানো দেখা নাই? প্ৰভুত কৰা মোৰ কৰ্মৰ ফল আপোনালোকেই
জানো নহয়? ২ মই অানলোকলৈ পাঁচনি নহ’লেও, একমাত্ৰ
আপোনালোকেই মোক পাঁচনি পদ পোৱা লোক বুলি মানে; কিয়নো
প্ৰভুত মই যে এজন পাঁচনি তাৰ প্ৰমাণ আপোনালোকেই৷ ৩ আমাৰ
সোধ-বিচাৰ কৰা সকলৰ বাবে, তেওঁলোকৰ ওচৰত আমাৰ উত্তৰ
এয়ে। ৪ আমাৰ জানো ভোজন আৰু পান কৰাৰ ক্ষমতা নাই? ৫
অন্যান্য পাঁচনি আৰু প্ৰভুৰ নিজৰ ভায়েক, ভনীয়েক সকলৰ লগতে

কৈফায়ো যেনেকৈ কৰে, তেনেকৈ আমাৰ জানো কোনো বিশ্বাসীক
ভাৰ্যা হিচাপে লগত লৈ যাবলৈ ক্ষমতা নাই? ৬ বাৰ্ণব্বা আৰু ময়েই
কেৱল জীৱিকা নিৰ্ব্বাহ কৰিবৰ কাৰণে কাৰ্য কৰিব লাগে নেকি? ৭
কোন সৈনিকে নিজৰ খৰছত সৈন্য দলত থাকে? যি জনে দ্ৰাক্ষাবাৰী
পাতে তেওঁ কি তাৰ ফল নাখায়? এনে কোন আছে যি জনে পশুৰ
জাকক প্ৰতিপালন কৰে, কিন্তু তেওঁ তাৰ গাখীৰ পান নকৰে? ৮ মই
মানুহৰ বিচাৰ বুদ্ধিৰ ওপৰত নিৰ্ভৰ কৰি জানো এই কথা কৈছোঁ?
কিন্তু ঈশ্বৰৰ বিধানে জানো এই সকলো কথা নকয়? ৯ কাৰণ মোচিৰ
বিধান-শাস্ত্ৰত লিখা আছে, “আপোনালোকে মৰণা মাৰোঁতে গৰুৰ
মুখত মোখোৰা নাবান্ধিব”, ঈশ্বৰে মাত্ৰ গৰুৰ কথা ভাবি এই কথা
কৈছে নে? ১০ কিন্তু এনে নহয় আমাৰ কথা ভাৱিয়েই এই সকলো
কথা কৈছে, নহয় নে? শাস্ত্ৰত আমাৰ কাৰণেই এই সকলো লিখা
হৈছে, কাৰণ যি জনে হাল বায় তেওঁ শস্য পোৱা আশা কৰিয়েই হাল
বায়; আৰু যি জনে মৰণা মাৰে, তেওঁ শস্যৰ পৰা খাদ্য পাবলৈ মৰণা
মাৰে৷ ১১ আমি আপোনালোকৰ কাৰণে আত্মিক কঠিয়া সিচিঁ যদি
আপোনালোকৰ পৰা মাংসিক শস্য দাওঁ, তেনেহলে সেয়া জানো
অধিক বেচি পোৱা হয়? ১২ যদি আপোনালোকৰ ওপৰত এই ক্ষমতা
আনে দাবী কৰে, তেনেহলে আমাৰ তাতকৈয়ো অধিক দাবী নাথাকিব
নে? আমি আপোনালোকৰ ওপৰত এই অধিকাৰ কৰিব বিচৰা নাই,
কিন্তু খ্ৰীষ্টৰ শুভবাৰ্তাত কোনো বাধা নজন্মিবৰ বাবে আমি সকলো
সহন কৰিছোঁ৷ ১৩ আপোনালোকে জানে নে, যি সকলে পবিত্ৰ মন্দিৰত
সেৱা কৰে, তেওঁলোকে খোৱা বস্তু মন্দিৰৰ পৰা পায় আৰু যি সকলে
নিতৌ যজ্ঞবেদিৰ ওপৰত নৈবেদ্য উৎসৰ্গ কৰে, তেওঁলোকে তাৰ ভাগ
পায়৷ ১৪ এইদৰে শুভবাৰ্তা প্ৰচাৰক সকলৰ কাৰণেও ঈশ্বৰে নিয়ম
কৰিলে যে, তেওঁলোকৰ জীৱিকা সেই শুভবাৰ্তাৰ পৰাই হ’ব। ১৫ কিন্তু
মই আপোনালোকলৈ এই অধিকাৰ প্ৰয়োগ কৰা নাই, আপোনালোকৰ
পৰা তেনেধৰণৰ সহায় পাবলৈও লিখা নাই৷ এই বিষয়ত মই গৰ্ব
কৰোঁ৷ কিয়নো কোনো লোকৰ দ্বাৰাই অৱহেলিত হোৱাতকৈ মই মৰাই
ভাল। ১৬ কাৰণ মই শুভবাৰ্তা প্ৰচাৰ কৰিলেও তাৰ বাবে গৰ্ব কৰা

নাই, কাৰণ শুভবাৰ্তা প্ৰচাৰ কৰা মোৰ কৰ্তব্য, আৰু যদি মই শুভবাৰ্তা
প্ৰচাৰ নকৰোঁ; তেতিয়াহলে এইটো মোৰ কাৰণে অতি সন্তাপৰ বিষয়
। ১৭ কিয়নো মই যদি নিজৰ ইচ্ছাৰে প্ৰচাৰ কৰোঁ, তেনেহলে মোৰ
পুৰস্কাৰ আছে৷ তথাপি মোৰ ওপৰত সেই দায়িত্ব আছে বাবেই মই
কৰোঁ৷ ১৮ তাতে মই কি পুৰস্কাৰ পাম? যেতিয়া আমি শুভবাৰ্তা প্ৰচাৰ
কৰোঁ তেতিয়া এই শুভবাৰ্তা মই বিনামূলীয়াকৈ প্ৰচাৰ কৰোঁ৷ এনেদৰে
প্ৰচাৰ কৰাৰ কাৰণে আমাৰ যি বেতন পোৱাৰ ক্ষমতা আছে, তাক
আমি ব্যৱহাৰ কৰা নাই৷ ১৯ যদিও মই স্বাধীন, তথাপি মই নিজকে
সকলোৰে দাস কৰিলোঁ, যেন তাতে মই অনেকক খ্ৰীষ্টৰ কাৰণে জয়
কৰিব পাৰোঁ৷ ২০ ইহুদী সকলক জয় কৰিবৰ কাৰণে, ইহুদী সকলৰ
ওচৰত ইহুদীৰ নিচিনা হ'লো৷ যদিও মই বিধান নামানো; কিন্তু নিজে
বিধানৰ অধীন হোৱা সকলক জয় কৰিবলৈ বিধানৰ অধীন হোৱা জনৰ
নিচিনা হ'লো৷ ২১ বিধানৰ বাহিৰত যি সকল আছে, তেওঁলোকক জয়
কৰিবলৈ মই বিধানহীন হৈ থকা লোকৰ দৰে হ'লোঁ৷ যদিও মই নিজে
ঈশ্বৰৰ বিধানৰ বাহিৰত নহওঁ, কিন্তু খ্ৰীষ্টৰ বিধানৰ অধীনত থাকোঁ৷
২২ দূৰ্বল সকলক পাবলৈ, তেওঁলোকৰ ওচৰত দূৰ্বল সকলৰ দৰে দূৰ্বল
হ'লোঁ; যাতে তেওঁলোকক উদ্ধাৰ কৰিব পাৰোঁ৷ ২৩ মই যি যি কৰোঁ,
সেই সকলোকেই শুভবাৰ্তাৰ কাৰণে, অৰ্থাৎ আশীৰ্বাদৰ সহভাগী
হ'বলৈহে কৰোঁ। ২৪ আপোনালোকে নাজানা নে, দৌৰ প্ৰতিযোগিতাত
অনেকে দৌৰ মাৰে: কিন্তু এজনেহে বঁটা পায়? সেয়ে এনেকৈ দৌৰক,
যাতে পুৰস্কাৰ পাব পাৰে৷ ২৫ আৰু যি মানুহে মালযুদ্ধ আদি কৰি
খেলত জিকিবলৈ চেষ্টা কৰে, তেওঁলোকে সকলোভাৱে ইন্দ্ৰিয়-দমন
কৰে। তেওঁলোকে বিনাশী কিৰীটি পাবলৈ এইদৰে কৰে, কিন্তু আমি
হ'লে, অবিনাশী কিৰীটি পাবলৈহে তাক কৰোঁ। ২৬ এতেকে মই এক
লক্ষ্য কৰি দৌৰ মাৰোঁ, কিন্তু লক্ষ্য নকৰাকৈ নহয়; মুষ্টিযুদ্ধ কৰোঁ, কিন্তু
বায়ুত ঘোচা মৰাৰ দৰে নামাৰোঁ; ২৭ কিন্তু লোকৰ আগত ঘোষণা
কৰি, শেষত নিজে যেন ঈশ্বৰৰ দৃষ্টিত অগ্ৰাহ্য নহওঁ, এই কাৰণে মই
নিজ শৰীৰকো ঘুচিয়াই বশ কৰি ৰাখিছোঁ।

১০ হে প্ৰিয় ভাই আৰু ভনী সকল, আপোনালোকে নজনাকৈ থকা
মোৰ ইচ্ছা নাই যে, আমাৰ পূৰ্বপুৰুষ সকল মেঘৰ তলত আছিল,
আৰু সকলোৰেই সাগৰৰ মাজেদি পাৰ হৈছিল৷ ২ মোচিৰ অনুকাৰী
আৰু সমৰ্পিত হোৱাত সকলোৰে মেঘ আৰু সাগৰত বাপ্তাইজিত হ'ল৷
৩ তেওঁলোক সকলোৰেই একে আত্মিক আহাৰ ভোজন কৰিছিল,
৪ সকলোৰেই একে আত্মিক জল পান কৰিছিল৷ কিয়নো যি শিল
তেওঁলোকৰ লগত গৈছিল, তাৰ পৰাই তেওঁলোকে পানীয় পান
কৰিছিল; সেই শিলেই খ্ৰীষ্ট। ৫ তথাপি তেওঁলোকৰ অধিক ভাগ
লোকৰ ওপৰত ঈশ্বৰ সন্তুষ্ট নহ'ল; কিয়নো তাৰ প্ৰমাণ এই যে,
তেওঁলোকক অৰণ্যতে নিপাত কৰা হ'ল। ৬ এই সকলো ঘটনা আমালৈ
আৰ্হি স্বৰূপ হ'ল; তেওঁলোকে যেনেকৈ কামনা কৰিছিল, আমিও যেন
তেনেকৈ মন্দ বিষয়ৰ কামনা নকৰোঁ৷ ৭ তেওঁলোকৰ মাজৰ কিছুমানে
যেনেকৈ মূৰ্তিপূজক হৈছিল, আপোনালোক তেনে নহ'ব; সেই বিষয়ে
এনেদৰে লিখা আছে; "মানুহবোৰে ভোজন-পান কৰিবলৈ বহিল আৰু
পাছত যৌন কামনাৰে নাচিবলৈ উঠিল"। ৮ তেওঁলোকৰ কিছুমানে
যেনেকৈ যৌনপাপ কৰাত; একেদিনাই একুৰি তিনি হাজাৰ মানুহ
মৰা পৰিল, তেনেকৈ আমি ব্যভিচাৰ নকৰোঁহক। ৯ তেওঁলোকৰ
কিছুমানে যেনেকৈ ঈশ্বৰক পৰীক্ষা কৰাত, সাপৰ দ্বাৰাই বিনষ্ট হ'ল,
তেনেকৈ আমি যেন খ্ৰীষ্টক পৰীক্ষা নকৰোঁ। ১০ তেওঁলোকৰ কিছুমান
লোক অসন্তুষ্ট হৈ ধ্বংসকাৰী স্বৰ্গৰ দূতৰ কবলত পৰি মৃত্যু হ'ল,
আপোনালোক তেনেকৈ অসন্তুষ্ট নহ'ব৷ ১১ তেওঁলোকলৈ আৰ্হি স্বৰূপে
এইবোৰ ঘটিছিল; আৰু শেষৰ যুগৰ মানুহ যি আমি, আমাক চেতনা
দিবলৈ এইবোৰ লিখা আছে। **(aiōn g165)** ১২ এই কাৰণে যি কোনোৱে
স্থিৰ আছোঁ বুলি ভাবে, তেওঁ নপৰিবৰ বাবে সাৱধান হওক। ১৩ যি যি
প্ৰলোভন মানুহবোৰৰ মাজলৈ আহে, সেইবোৰৰ বাহিৰে আন পৰীক্ষা
আপোনালোকলৈ ঘটা নাই; কিন্তু ঈশ্বৰ বিশ্বাসী; তেওঁ আপোনালোকলৈ
শক্তিৰ অতিৰিক্ত পৰীক্ষা ঘটিবলৈ নিদিব; কিন্তু আপোনালোকে যেন
সহিব পাৰিব, তাৰ কাৰণে পৰীক্ষাৰ সৈতে সাৰিবলৈ তেওঁ উপায়ো
কৰি দিব। ১৪ এই কাৰণে, হে মোৰ প্ৰিয় ভাই আৰু ভনী সকল সকলো

প্ৰকাৰৰ মূৰ্তিপূজাৰ পৰা দূৰৈত থাকক৷ ১৫ মই আপোনালোকক
বুদ্ধিমান যেন ভাবি কওঁ, আপোনালোকে নিজে মোৰ কথা বিবেচনা
কৰি চাব৷ ১৬ আমি যি আশীৰ্বাদৰ পানপাত্ৰক আশীৰ্বাদ কৰোঁ, সেয়ে
খ্ৰীষ্টৰ তেজৰ সহভাগিতা নহয় নে? আৰু যি পিঠা ভাঙো, সেয়ে খ্ৰীষ্টৰ
সহভাগিতা নহয় নে? ১৭ কিয়নো অনেক যি আমি, সকলোৱেই এক
পিঠাত অংশ গ্ৰহণ কৰাৰ যোগেদি আমি অনেক লোক হলেও এক
শৰীৰৰ ভাগী হলোঁ৷ ১৮ ইস্ৰায়েল জাতিৰ কথা চিন্তা কৰক৷ চোৱা; যি
লোকে উৎসৰ্গ কৰা বলিৰ মাংস খায়, তেওঁলোক বেদিৰ সহভাগী
নহয় নে? ১৯ তেনেহলে মই কি কথা কৈছোঁ? দেৱতালৈ উৎসৰ্গ কৰা
প্ৰসাদৰ কোনো তাৎপৰ্য আছে নে? বা মূৰ্তিবোৰৰ কোনো বাস্তৱতা
আছে? ২০ তেনে নহয়; কিন্তু অনা-ইহুদী লোকে যি যি বলিদান
কৰে, তাক ঈশ্বৰৰ উদ্দেশ্যে নহয়, ভূত, পিশাচৰ উদ্দেশ্যেহে কৰে,
ইয়াকেহে কৈছোঁ; আৰু আপোনালোক ভূত, পিশাচৰ সহভাগী হোৱা
মোৰ ইচ্ছা নাই। ২১ আপোনালোকে প্ৰভুৰ পান-পাত্ৰ আৰু ভূত,
পিশাচৰ পান-পাত্ৰ, এই উভয়ত পান কৰিব নোৱাৰে; প্ৰভুৰ মেজ আৰু
ভূত, পিশাচৰ মেজ এই উভয়ৰে ভাগীও হ'ব নোৱাৰে। ২২ নতুবা,
আমি প্ৰভুৰ ঈৰ্ষা জন্মাব খুজিছোঁ নে কি? আমি জানো তেওঁতকৈ
বলৱন্ত? ২৩ সকলো বিধান সন্মত, কিন্তু সকলোৱেই হিতজনক নহয়;
সকলো অবাধ কিন্তু সকলোৱেই ধৰ্মত বৃদ্ধি নকৰে। ২৪ প্ৰতিজনে
নিজৰ হিত নিবিচাৰি, পৰৰ হিত বিচাৰক। ২৫ যি কোনো বস্তু বজাৰত
বেচে, দোষাদোষ জ্ঞানৰ কাৰণে একো নুসুধি-নুপুচি সেইবোৰ ভোজন
কৰিব; ২৬ কিয়নো পৃথিৱী আৰু তাৰ পৰিপূৰ্ণতা প্ৰভুৰেই। ২৭ খ্ৰীষ্টত
বিশ্বাস নকৰা সকলৰ কোনোৱে আপোনালোকক নিমন্ত্ৰণ কৰিলে,
আপোনালোক যদি যাবলৈ সন্মত হয়, তেনেহলে দোষাদোষ জ্ঞানৰ
কাৰণে একো নুসুধি-নুপুচি, যি কোনো বস্তু আপোনালোকৰ আগত
থোৱা হয়, সেই বস্তুকে ভোজন কৰিব। ২৮ কিন্তু কোনোৱে যদি
আপোনালোকক, "এয়ে বলি দিয়া আহাৰ হয় বুলি কয়", তেনেহলে
সেই কথা জনোৱা জনৰ কাৰণে আৰু দোষাদোষ জ্ঞানৰ কাৰণে, সেই
দ্ৰব্য ভোজন নকৰিব। ২৯ দোষাদোষ জ্ঞান বুলি যে কৈছোঁ, সেয়ে

আপোনাৰ নহয়, আনৰহে; কিয়নো মোৰ স্বাধীনতা অন্যৰ দোষাদোষ
জ্ঞানৰ দ্বাৰাই কিয় সোধ-বিচাৰ কৰা হয়? ৩০ মই যদি কৃতজ্ঞতাৰে
ভোজন কৰোঁ, তেনেহলে যি বস্তুৰ কাৰণে ধন্যবাদ কৰোঁ, তাৰ কাৰণে
মই নিন্দিত হওঁ কিয়? ৩১ এতেকে আপোনালোকে ভোজন-পান
আদি যি যি কৰ্ম কৰে, সকলোকে ঈশ্বৰৰ মহিমাৰ অৰ্থে কৰিব। ৩২
তেনেকৈ আপোনালোকো ইহুদী, কি গ্ৰীক বা ঈশ্বৰৰ মণ্ডলী কাৰো
বিঘিনি জনক নহয় ৩৩ কিন্তু অনেকে পৰিত্ৰাণ পাবলৈ, মই নিজৰ হিত
নিবিচাৰি আনৰ হিত বিচাৰি, সকলো বিষয়তে সকলোকে সন্তুষ্ট কৰোঁ৷
তাতে সকলোৱে পৰিত্ৰাণ পায়৷

**১১** মই যেনেকৈ খ্ৰীষ্টৰ অনুকাৰী, আপোনালোকো তেনেকৈ মোৰ
অনুকাৰী হওক। ২ আপোনালোকে সকলো বিষয়তে যে, মোক
সোঁৱৰণ কৰি মই দিয়া বিধিবোৰ পালন কৰি আছে, তাৰ কাৰণে
আপোনালোকৰ প্ৰশংসা কৰিছোঁ। ৩ কিন্তু খ্ৰীষ্ট যে প্ৰত্যেক পুৰুষৰ মূৰ
স্বৰূপ, পুৰুষ মহিলাৰ মূৰ স্বৰূপ আৰু ঈশ্বৰ খ্ৰীষ্টৰ মূৰ স্বৰূপ, ইয়াক
যেন আপোনালোকে জানে, এই মোৰ ইচ্ছা। ৪ যি কোনো পুৰুষে মূৰ
ঢাকি প্ৰাৰ্থনা কৰে, বা ঐশ্বৰিক ভাবোক্তি প্ৰচাৰ কৰে, তেওঁ নিজৰ মূৰ
অমৰ্য্যাদা কৰে। ৫ কিন্তু যি কোনো মহিলাই উদং মূৰে প্ৰাৰ্থনা কৰে,
বা ভাবোক্তি প্ৰচাৰ কৰে, তেওঁ নিজৰ মূৰ অমৰ্য্যাদা কৰে; কিয়নো
তেওঁৰ মূৰ খুৰুউৱাৰ নিচিনা হয়। ৬ কাৰণ মহিলাই যদি ওৰণি নলয়,
তেনেহলে চুলিও কটা যাওঁক; কিন্তু চুলি কটা বা মূৰ খুৰুৱা যদি লাজৰ
কথা হয়, তেনেহলে তেওঁ ওৰণি লওঁক। ৭ কিয়নো পুৰুষ ঈশ্বৰৰ
প্ৰতিমূৰ্তি আৰু গৌৰৱ স্বৰূপ হোৱাত, ওৰণি লোৱা তেওঁৰ উচিত নহয়;
কিন্তু মহিলা হ'লে পুৰুষৰহে গৌৰৱ। ৮ কিয়নো পুৰুষ মহিলাৰ পৰা
নহয়, কিন্তু মহিলাহে পুৰুষৰ পৰা হ'ল। ৯ কাৰণ মহিলাৰ কাৰণে পুৰুষ
নহয়, পুৰুষৰ কাৰণেহে মহিলাক স্ৰজা হৈছিল। ১০ সেয়েহে স্বৰ্গৰ দূত
সকলৰ কাৰণে মহিলা সকলে নিজৰ মূৰত ক্ষমতাৰ চিন ৰখা কৰ্তব্য।
১১ তথাপি যি কি নহওক, প্ৰভুত, মহিলাৰ অবিহনে পুৰুষ স্বাধীন নহয়,
পুৰুষৰ অবিহনে মহিলাও স্বাধীন নহয়৷ ১২ কিয়নো যেনেকৈ পুৰুষৰ পৰা
মহিলা আহিল৷ তেনেকৈ পুৰুষো মহিলাৰ দ্বাৰাই আহিল; কিন্তু সকলোৱে

ঈশ্বৰৰ পৰাহে আহিল। ১৩ আপোনালোকে মনতে বিচাৰ কৰি চাওক,
মহিলা মানুহে উদং মূৰেৰে ঈশ্বৰৰ আগত প্ৰাৰ্থনা কৰা উচিত নে? ১৪
প্ৰকৃতিয়ে নিজেও আপোনালোকক নিশিকায় নে যে, পুৰুষৰ দীঘল চুলি
হোৱা তেওঁলৈ অনাদৰজনক? ১৫ কিন্তু মহিলাৰ দীঘল চুলি হোৱাই
তেওঁলৈ গৌৰৱজনক; কিয়নো সেই দীঘল চুলি ওৰণিৰ অৰ্থে দিয়া
হ'ল। ১৬ কিন্তু কোনোৱে যদি বাদবিবাদলৈ মন কৰে, তেনেহলে
ঈশ্বৰৰ মণ্ডলীবোৰৰ আৰু আমাৰো এনে কোনো দস্তুৰ নাই। ১৭ এই
আদেশৰ লগত আৰু এটা কথা কওঁ, এই কথাত মই প্ৰশংসা নকৰোঁ;
সেই কথা এই, আপোনালোকে ভাললৈ নহয়, বেয়ালৈহে গোট খায়।
১৮ কাৰণ প্ৰথমে যেতিয়া আপোনালোক মণ্ডলীত গোট খায়, তেতিয়া
আপোনালোকৰ মাজত ভিন ভিন দল হয়, ইয়াকে মই শুনিছোঁ আৰু
কিছু কিছু বিশ্বাসো কৰিছোঁ। ১৯ কিয়নো আপোনালোকৰ মাজৰ
পৰীক্ষাসিদ্ধ মানুহবোৰ প্ৰকাশিত হ'বলৈ, আপোনালোকৰ মাজত নানা
মতো হ'ব লাগে। ২০ তাতে আপোনালোক যেতিয়া একে ঠাইতে গোট
খায়, তেতিয়া প্ৰভুৰ ভোজ ভোজন কৰা নহয়; ২১ কিয়নো ভোজন
কৰোঁতে, প্ৰতিজনে আনৰ আগেয়ে নিজৰ নিজৰ ভোজহে গ্ৰহণ কৰে;
তাতে কোনো জনৰ ভোক থাকে, কোনো জন মতলীয়া হয়। ২২
তেনেহলে ভোজন-পান কৰিবলৈ, আপোনালোকৰ নিজ নিজ ঘৰ নাই
নে? নাইবা ঈশ্বৰৰ মণ্ডলীক হেয়জ্ঞান কৰি, দীনহীন সকলক লাজ
দিয়া নে? মই আপোনালোকক কি ক'ম? এই কথাত আপোনালোকক
প্ৰশংসা কৰিম নে? আপোনালোকৰ প্ৰশংসা নকৰোঁ। ২৩ কিয়নো যি
শিক্ষা মই প্ৰভুৰ পৰা পাই আপোনালোকক দিলোঁ, সেয়ে এই, “প্ৰভু
যীচুক যি ৰাতি শত্ৰুৰ হাতত শোধাই দিয়া হৈছিল, ২৪ সেই ৰাতিয়েই
তেওঁ পিঠা লৈ, ধন্যবাদ কৰি ভাঙি ক'লে, ‘তোমালোকৰ কাৰণে এই
মোৰ শৰীৰ যি তোমালোকৰ বাবে ভঙা হব; মোক সুঁৱৰিবৰ অৰ্থে,
তোমালোকে ইয়াকে কৰিবা’। ২৫ এইদৰে ভোজনৰ পাছত, তেওঁ
পান-পাত্ৰকো লৈ ক'লে, ‘এই পান-পাত্ৰ মোৰ তেজৰ দ্বাৰাই হোৱা
নতুন নিয়ম; তোমালোকে যিমান বাৰ ইয়াক পান কৰা, সিমান বাৰ
মোক সুঁৱৰিবৰ অৰ্থে, ইয়াকে কৰিবা’। ২৬ কিয়নো আপোনালোকে

যিমান বাৰ এই পিঠা খায় আৰু এই পাত্ৰত পান কৰে, প্ৰভু নহালৈকে
সিমান বাৰ আপোনালোকে তেওঁৰ মৃত্যু প্ৰচাৰ কৰি আছে।” ২৭
এতেকে যি কোনোৱে অযোগ্যৰূপে প্ৰভুৰ সেই পিঠা খায় বা সেই
পাত্ৰত পান কৰে, তেওঁ প্ৰভুৰ শৰীৰ আৰু তেজৰ দোষী হ'ব। ২৮
কিন্তু মানুহে নিজে নিজৰ পৰীক্ষা কৰি, পাছে সেই পিঠা ভোজন কৰক
আৰু সেই পাত্ৰত পান কৰক। ২৯ কিয়নো যি কোনোৱে সেই শৰীৰ
বিবেচনা নকৰি ভোজন-পান কৰে, তেওঁ নিজ দণ্ড ভোজন-পান কৰে।
৩০ এই কাৰণে আপোনালোকৰ মাজত বহুত মানুহ দূৰ্বলী আৰু ৰুগীয়া;
আৰু বহুত মানুহ নিদ্ৰিত হ'ল। ৩১ কিন্তু আমি নিজৰ বিচাৰ নিজে
ঠাৱৰ কৰা হ'লে, আমাৰ বাবে দণ্ডাজ্ঞা নহলহেঁতেন। ৩২ কিন্তু যাতে
আমি জগতৰে সৈতে দণ্ড নাপাম, এই কাৰণে আমাৰ সোধ-বিচাৰ
হোৱাত প্ৰভুৰ পৰা শাস্তি পাইছোঁ। ৩৩ এতেকে, হে মোৰ ভাই সকল,
আপোনালোকে যেতিয়া ভোজন-পান কৰিবলৈ গোট খায়, তেতিয়া
ইজনে সিজনলৈ বাট চাই থাকিব ৩৪ আৰু আপোনালোকৰ গোট
খোৱাটো যেন দণ্ডৰ কাৰণ নহয়, এই কাৰণে কোনো জনৰ ভোক
লাগে যদি, তেওঁ ঘৰতে খাওক। অৱশিষ্ট কথাবোৰৰ বিষয়ে, মই
গ'লেহে দিহা দিম।

**১২** হে ভাই সকল, আত্মিক বৰৰ বিষয়ে আপোনালোকে নজনাকৈ
থকা মোৰ ইচ্ছা নাই। ২ আপোনালোকে জানে, যেতিয়া আপোনালোক
মূৰ্তিপূজক আছিল, তেতিয়া নিৰ্ব্বাক মূৰ্তিবোৰৰ ওচৰলৈ গৈছিল।
৩ এই কাৰণে মই আপোনালোকক জনাইছোঁ যে, ঈশ্বৰৰ আত্মাৰে
কথা কওঁতা কোনেও “যীচুক শাপগ্ৰস্থ বুলি নকয়; আৰু পবিত্ৰ আত্মাৰ
দ্বাৰাই নহ'লে, কোনেও যীচুক ‘প্ৰভু’ বুলিব নোৱাৰে”। ৪ নানা প্ৰকাৰ
আত্মিক বৰ আছে, কিন্তু আত্মা একে; ৫ আৰু পৰিচৰ্যা অনেক বিধ
কিন্তু প্ৰভু একে; ৬ কৰ্মসাধক গুণো অনেক বিধ, কিন্তু ঈশ্বৰ এক,
তেওঁ সকলোতে সকলো কৰ্মৰ সাধনকৰ্তা। ৭ কিন্তু হিতৰ কাৰণে
প্ৰতিজনকে আত্মা-প্ৰকাশক গুণ দিয়া হৈছে। ৮ তাতে আত্মাৰ দ্বাৰাই
এজনক বুদ্ধিৰ কথা, একে আত্মাৰ ইচ্ছা অনুসাৰে আন জনক জ্ঞানৰ
কথা, ৯ একে আত্মাৰে আন জনক বিশ্বাস দিয়া হৈছে; সেই একে

আত্মাৰ দ্বাৰাই কোনোক সুস্থ কৰিব পৰা বৰ, ১০ আন কোনো জনক
পৰাক্রম কার্য সাধন কৰিবলৈ, আন কোনোক ভাববাণী ক'বৰ, আন
কোনোক আত্মাবোৰ বিচাৰ কৰিবৰ, আন কোনোক নানা বিধ ভাষা
ক'বৰ, আৰু আন কোনোক নানা ভাষাৰ অর্থ প্রকাশ কৰিবৰ শক্তিৰূপ
বৰ দিয়া হৈছে; ১১ কিন্তু সেই একমাত্র আত্মাই যাকে যি বৰ দিবলৈ মন
কৰে, সেয়াই তেওঁক ভাগ-বাঁটি দি, সেই সকলোকে সাধন কৰিছে।
১২ কিয়নো যেনেকৈ শৰীৰ এক আৰু তাৰ অঙ্গ-প্রত্যঙ্গ অনেক, কিন্তু
সেই শৰীৰৰ সকলো অঙ্গ-প্রত্যঙ্গ অনেক হ'লেও এক শৰীৰ হয়,
তেনেকৈ খ্রীষ্টও। ১৩ কাৰণ আমি ইহুদী হওঁ বা গ্রীক হওঁ, দাস
হওঁ বা স্বাধীন হওঁ, সকলোৱেই এক শৰীৰ হবলৈ এক আত্মাত
বাপ্তাইজিত হ'লোঁ; আৰু সকলোৱে এক আত্মা পান কৰিবলৈ পালোঁ।
১৪ কিয়নো শৰীৰ এক অঙ্গ নহয়, কিন্তু অনেক। ১৫ ভৰিয়ে যদি কয়,
মই হাত নোহোৱা কাৰণে শৰীৰৰ অংশ নহওঁ, তেনেহলে সি সেই
কাৰণে শৰীৰৰ অংশ নহয়, এনে নহয়। ১৬ আৰু কাণেও যদি কয়,
মই চকু নোহোৱা কাৰণে শৰীৰৰ অংশ নহওঁ, তেনেহলে সি সেই
কাৰণে যে শৰীৰৰ অংশ নহয়, এনে নহয়। ১৭ গোটেই শৰীৰেই চকু
হোৱা হ'লে, শ্রৱণ ক'ত হ'লহেঁতেন? আৰু গোটেইটো শ্রৱণ হোৱা
হ'লে, ঘ্রাণ ক'ত হ'লহেঁতেন? ১৮ কিন্তু এতিয়া ঈশ্বৰে নিজ ইচ্ছামতে
অঙ্গ-প্রত্যঙ্গবোৰক, এনে কি, সেইবোৰৰ প্রত্যেকক শৰীৰত লগাই
দিলে। ১৯ নতুবা আটাইবোৰ অঙ্গ-প্রত্যঙ্গ এক অঙ্গ হোৱা হ'লে,
তেনেহলে শৰীৰ ক'ত হ'লহেঁতেন? ২০ কিন্তু এতিয়া অনেক অঙ্গ-
প্রত্যঙ্গ হলেও, শৰীৰ এক। ২১ আৰু তোমাত মোৰ প্রয়োজন নাই বুলি
চকুৱে হাতক ক'ব নোৱাৰে; বা তোমালোকত মোৰ প্রয়োজন নাই
বুলি মূৰে ভৰি দুখনক ক'ব নোৱাৰে। ২২ কওক ছাৰি, শৰীৰৰ যি
যি অঙ্গ আন অঙ্গতকৈ দূর্বল বোধ হয়, সেই সকলো অঙ্গ-প্রত্যঙ্গও
প্রয়োজনীয়হে হয় ২৩ শৰীৰৰ যি যি অঙ্গ আনতকৈ অনাদৰণীয়
জ্ঞান কৰোঁ, সেইবোৰক অধিক আদৰেৰে ভূষিত কৰোঁ; ২৪ আৰু
আমাৰ কুৰূপ অঙ্গবোৰেও অধিক শোভা পায়। কিন্তু আমাৰ সুৰূপ
অঙ্গবোৰৰ একো প্রয়োজন নাই। ২৫ কিন্তু শৰীৰত যেন বিভেদ নহয়,

বৰং অঙ্গ-প্ৰত্যঙ্গবোৰে পৰস্পৰে হিত চিন্তা কৰে, এই কাৰণে ঈশ্বৰে
অনাদৰণীয়টোক অধিক আদৰণীয় কৰি, শৰীৰ সংগঠিত কৰিলে। ২৬
তাতে এক অঙ্গই দুখ পালে, তাৰে সৈতে সকলো অঙ্গ-প্ৰত্যঙ্গই দুখ
পায়; আৰু এক অঙ্গই মৰ্যদা পালে, তাৰে সৈতে সকলো অঙ্গ-প্ৰত্যঙ্গই
আনন্দ কৰে। ২৭ আপোনালোক খ্ৰীষ্টৰ শৰীৰ আৰু একো একোজনেই
এক এক অঙ্গ স্বৰূপ। ২৮ আৰু ঈশ্বৰে মণ্ডলীত প্ৰথমে পাঁচনি সকলক,
দ্বিতীয়তে ভাববাদী সকলক, তৃতীয়তে উপদেশক সকলক স্থাপন
কৰিলে; তাৰ পাছত পৰাক্ৰম কাৰ্যবোৰ, তাৰ পাছত সুস্থ কৰিব পৰা
বৰ, উপকাৰ, শাসন-পদ আৰু নানা ভাষা দিলে। ২৯ সকলোৱেই
পাঁচনি নে? সকলোৱেই ভাববাদী নে? সকলোৱেই উপদেশক নে?
সকলোৱেই পৰাক্ৰম কাৰ্য কৰোঁতা নে? ৩০ সকলোৱেই সুস্থ কৰিব
পৰা বৰ পাইছে নে? সকলোৱেই পৰভাষা কয় নে? সকলোৱেই অৰ্থ
বুজাই দিয়ে নে? ৩১ কিন্তু উত্তম উত্তম বৰলৈ হাবিয়াহ কৰা; তথাপি
তাতকৈয়ো এক উত্তম পথ মই আপোনালোকক দেখুৱাওঁ।

**১৩** যদিও মই মানুহৰ বা স্বৰ্গ দূতৰ ভাষাৰে কথা কওঁ, তথাপি
মোৰ প্ৰেম নাথাকিলে, মই কেৱল বাজি থকা কাঁহ, বা বাদ্য কৰি থকা
তালস্বৰূপ হৈছোঁ। ২ মই যদি ভাববাণী পাওঁ, সকলো নিগূঢ়-তত্ব
আৰু সকলো বিদ্যা জানো আৰু পৰ্বত আতৰাব পৰা মোৰ যদি এনে
বিশ্বাসো থাকে, তথাপি মোৰ প্ৰেম নাথাকিলে, মই একো নহওঁ। ৩
আৰু দৰিদ্ৰক খুৱাবলৈ যদি মোৰ সৰ্ব্বস্ব ব্যয় কৰোঁ আৰু পুৰি ভস্ম
হ'বলৈ মোৰ শৰীৰকো শোধাই দিওঁ, তথাপি মোৰ প্ৰেম নাথাকিলে,
তাত মোৰ একো লাভ নাই। ৪ প্ৰেম সহনশীল আৰু স্নহশীল; প্ৰেমে
হিংসা নকৰে বা গৰ্ব নকৰে; ই অহংকাৰী বা অশিষ্টাচাৰী নহয়, ৫ ই
নিজৰ লাভ নিবিচাৰে, সহজে কুপিত নহয় আৰু ই অন্যায় আচৰণ
নকৰে৷ ৬ ই অধাৰ্মিকতাত আনন্দ নকৰে, কিন্তু সত্যতাত আনন্দ
কৰে, ৭ প্ৰেমে সকলোকে আকোৱালি লয়, সকলোকে বিশ্বাস কৰে,
সকলোকে আশা কৰে আৰু সকলোকে সহ্য কৰে। ৮ প্ৰেম কেতিয়াও
লুপ্ত নহ'ব; কিন্তু ভাববাণী হ'লে, লোপ হ'ব; পৰভাষা হ'লে, সেইবোৰ
গুচিব; জ্ঞান হ'লে, সেই জনো লুপ্ত হ'ব। ৯ কিয়নো আমাৰ জ্ঞান

খণ্ডমাত্ৰ আৰু আমাৰ ভাবোক্তিও খণ্ডমাত্ৰ; ১০ কিন্তু সম্পূৰ্ণতা উপস্থিত
হ'লে, সেই খণ্ডবোৰ লুপ্ত হ'ব। ১১ যেতিয়া মই শিশু আছিলোঁ, তেতিয়া
শিশুৰ নিচিনাকৈ কথা কৈছিলোঁ, শিশুৰ দৰে ভাবিছিলোঁ, শিশুৰ দৰে
বিবেচনাও কৰিছিলোঁ৷ যেতিয়া বয়স পালোঁ, তেতিয়াৰ পৰা শিশুৰ
সকলো কথা এৰিলোঁ। ১২ কিয়নো এতিয়া আমি দৰ্পণত দেখাৰ দৰে,
অস্পষ্টকৈ দেখিছোঁ; কিন্তু তেতিয়া মূখা-মূখিকৈ দেখিম। এতিয়া মোৰ
জ্ঞান খণ্ডমাত্ৰ; কিন্তু তেতিয়া, মই যেনেকৈ সম্পূৰ্ণকৈ জনা হ'লোঁ,
তেনেকৈ সম্পূৰ্ণ ৰূপত জানিম। ১৩ কিন্তু এতিয়া তিনিটা বিষয় আছে:
বিশ্বাস, আশা, প্ৰেম, কিন্তু এই কেইটাৰ মাজত প্ৰেমেই শ্ৰেষ্ঠ।

**১4** আপোনালোকে প্ৰেমৰ পাছে পাছে যাওঁক; আৰু আত্মিক
বৰবোৰলৈ একান্ত মনেৰে হাবিয়াহ কৰক, বিশেষকৈ ঐশ্বৰিক
ভাবোক্তি প্ৰচাৰ কৰিবৰ হাবিয়াহ কৰক। ২ কিয়নো যি জনে বিশেষ
কথা কোৱাৰ ক্ষমতা পাইছে, তেওঁ কোনো মানুহৰ সতে নহয় ঈশ্বৰৰ
সতেহে কথা কয়; কাৰণ তেওঁ কি কথা কয় কোনেও নুবুজে, কিন্তু
তেওঁ আত্মাৰ দ্বাৰাই নিগূঢ়-তত্ববোৰৰ বিষয়ে কয়। ৩ কিন্তু যি জনে
ঐশ্বৰিক ভাবোক্তি প্ৰচাৰ কৰে, তেওঁ মানুহবোৰক ধাৰ্মিকতাত বৃদ্ধি
কৰিবলৈ আৰু আশ্বাস আৰু সান্ত্বনা দিবলৈ কথা কয়। ৪ যি জনৰ
পৰভাষা কবলৈ ক্ষমতা আছে, তেওঁ নিজকে ধৰ্মত বৃদ্ধি কৰে; কিন্তু যি
জনে ঐশ্বৰিক ভাবোক্তি প্ৰচাৰ কৰে, তেওঁ মণ্ডলীক গঢ়ি তোলে। ৫
আপোনালোকে যেন পৰভাষা কয়, এই মোৰ ইচ্ছা; কিন্তু তাতকৈ
ভাবোক্তি যেন প্ৰচাৰ কৰে, ইয়ালৈ মোৰ বৰ ইচ্ছা; আৰু পৰভাষা
কোৱা জনে, মণ্ডলীয়ে ধৰ্মত বৃদ্ধি পাবলৈ যদি অৰ্থ নুবুজায়, তেনেহলে
এনে জনতকৈ ভাবোক্তি প্ৰচাৰ কৰা জন শ্ৰেষ্ঠ। ৬ এতিয়া, হে প্ৰিয় ভাই
আৰু ভনী সকল, মই আপোনালোকৰ ওচৰলৈ গৈ যদি পৰভাষা কওঁ,
কিন্তু আপোনালোকৰ ওচৰত গৈ প্ৰকাশিত সত্য জ্ঞান বা ভাববাণী বা
কোনো শিক্ষা বিষয়ে যদি নকওঁ, তেনেহলে আপোনালোকৰ কিবা লাভ
হবনে? ৭ শব্দ কৰা নিষ্প্ৰাণ বস্তুৰ মাজতো বাঁহী হওক, বা বীণা হওক,
শুৱলা স্বৰ সৃষ্টি কৰি স্পষ্টকৈ শুৱলা ধ্বনিত যদি নাবাজে, তেনেহলে
বাঁহীৰে বা বীণাৰে কি সুৰ বজোৱা হয়, সেই বিষয়ে কেনেকৈ জনা

যাব? ৮ কাৰণ ৰণ-শিঙাৰ মাত যদি অস্পষ্ট হয়, তেনেহলে যুদ্ধলৈ
কোনে নিজকে সজাব? ৯ ঠিক সেইদৰে আপোনালোকেও যদি সহজে
বুজিব পৰা কথা জিভাৰে নকয়, তেনেহলে যি কোৱা হয়, সেই বিষয়ে
কেনেকৈ জানিব? কিয়নো এইবোৰ কথা আপোনালোকে বতাহত
কোৱাৰ নিচিনা হ'ব। ১০ জগতত বহু প্ৰকাৰৰ ভাষা আছে, তথাপি
তাৰ অৰ্থ নোহোৱা ভাষা এটাও নাই। ১১ কিন্তু মই যদি সেই ভাষাৰ
অৰ্থ নুবুজোঁ, তেনেহলে যি জনে কয়, তেওঁৰ বাবে মই বিদেশীৰ
নিচিনা হ'ম; আৰু সেই কোৱা জনো মোৰ বাবে বিদেশীৰ নিচিনা হ'ব।
১২ এতেকে লোকৰ ক্ষেত্ৰতো ঠিক তেনে ধৰণৰেই, আপোনালোকে
আত্মাৰ বিবিধ বৰলৈ হাবিয়াহ কৰিছে যেতিয়া, মণ্ডলীক ধৰ্মত বৃদ্ধি
কৰিবৰ বাবে উপচি পৰিবলৈ যত্ন কৰক। ১৩ এই কাৰণে যি জনে
পৰভাষা কয়, তেওঁ যেন অৰ্থও বুজাই দিব পাৰে, তাৰ কাৰণে প্ৰাৰ্থনা
কৰক। ১৪ কিয়নো পৰভাষাৰে যদি প্ৰাৰ্থনা কৰোঁ, তেনেহলে মোৰ
আত্মাই প্ৰাৰ্থনা কৰে, কিন্তু মোৰ হৃদয় ফলহীন হয়। ১৫ তেনেহলে
আমি কি কৰা উচিত? আমি আত্মাৰে প্ৰাৰ্থনা কৰিম নে, মনৰে প্ৰাৰ্থনা
কৰিম? আমি আত্মাৰে গীত গাম নে, মনেৰে গীত গাম? ১৬ নতুবা
তুমি যদি আত্মাৰে ঈশ্বৰৰ প্ৰশংসা কৰিছা, কিন্তু যি সকলে শুনিবলৈ
দৰ্শক হিচাপে তালৈ আহে, তেওঁ যদি বুজি নাপাই, কেনেকৈ তোমাৰ
সেই ধন্যবাদত 'আমেন' ক'ব? কাৰণ তুমি কি কৈছা, তেওঁলোকে
বুজি নাপালে। ১৭ কিয়নো তুমি হ'লে, বহুত ভালকৈ ধন্যবাদ কৰিছা,
কিন্তু অন্য লোক সকলক আত্মিক ভাবে গঢ়ি তোলা নহল। ১৮ মই
যে আপোনালোকতকৈ বেছি পৰভাষা কওঁ, তাৰ কাৰণে মই ঈশ্বৰৰ
ধন্যবাদ কৰিছোঁ; ১৯ তথাপি মণ্ডলীত পৰভাষাৰে দহ হাজাৰ কথা
কোৱাতকৈ, মানুহক শিক্ষা দিবলৈ, বুজি পোৱাকৈ বুদ্ধিৰে পাঁচটা
কথা কোৱা ভাল বুলি ভাবো। ২০ হে প্ৰিয় ভাই আৰু ভনী সকল,
আপোনালোক বিবেচনাত শিশুৰ দৰে নহ'ব; কিন্তু মন্দ বিষয়ত শিশু
সকলৰ দৰে হৈ, চিন্তা আৰু বিবেচনাত বয়সস্থ লোকৰ দৰে হওক। ২১
বিধান-শাস্ত্ৰত লিখা আছে, "প্ৰভুৱে কৈছে, পৰভাষা কোৱা লোকৰ
দ্বাৰাই, আৰু বিদেশী সকলৰ ওঁঠৰ দ্বাৰাই, মই এই লোকক কথা ক'ম;

কিন্তু তাক কৰিলেও, তেওঁলোকে মোৰ কথা নুশুনিব।” ২২ এই কাৰণে
বেলেগ বেলেগ ভাষাৰে কথা কোৱা, বিশ্বাস কৰা সকলৰ কাৰণে নহয়,
অবিশ্বাসী সকলৰ কাৰণে চিন হয়; কিন্তু ঐশ্বৰিক ভাবোক্তি প্ৰচাৰ
কৰা, বিশ্বাস নকৰা সকলৰ কাৰণে নহয়, কিন্তু বিশ্বাস কৰা সকলৰ
কাৰণে চিন হয়। ২৩ এতেকে গোটেই মণ্ডলীয়ে যেতিয়া একগোট
হয়, আৰু আটাইলোকে যদি পৰভাষা কৈ থাকে, তেতিয়া সাধাৰণ
বা কোনো অবিশ্বাসী মানুহ সেই স্থানত প্ৰৱেশ কৰিলে, তেওঁলোকে
আপোনালোকক বলীয়া বুলি নক’ব নে? ২৪ সকলোৱে যদি ভাবোক্তি
প্ৰচাৰ কৰে আৰু বিশ্বাস নকৰা সাধাৰণ কোনো এজন মানুহ যদি সেই
স্থানলৈ আহে, তেনেহলে সেই ভাববাণী শুনি তেওঁ নিজৰ পাপৰ বিষয়ে
সচেতন আৰু ভাববাণীৰ দ্বাৰাই তেওঁ বিচাৰ প্ৰাপ্ত হয়৷ ২৫ এইদৰে
লোক জনৰ হৃদয়ৰ কোনো গুপ্তকথা প্ৰকাশ পায়৷ তাতে তেওঁ মাটিত
উবুৰি হৈ পৰি, নিশ্চয়ে ‘আপোনালোকৰ মাজত ঈশ্বৰ আছে’, এই
বুলি ঈশ্বৰৰ সেৱা কৰিব। ২৬ এতেকে হে প্ৰিয় ভাই আৰু ভনী সকল
আপোনালোকে কি কৰিব? যেতিয়া আপোনালোক এঠাইত গোট
খায়, তেতিয়া কোনো জনে গীত, কোনো জনে উপদেশ, কোনো জনে
প্ৰকাশিত বাক্য, কোনো জনে পৰভাষা, কোনো জনে তাৰ অৰ্থ ভাঙণি
কৰি কথা ক’ব। কিন্তু এই সকলো যেন মণ্ডলী বৃদ্ধি কৰিবলৈ কৰা হয়।
২৭ কোনোৱে যদি পৰভাষা কয়, তেনেহলে দুজন, বা তাতকৈ অধিক
হ’লেও, তিনি জনে পাল অনুক্ৰমে কওক; আৰু এজনে অৰ্থ বুজাই
দিয়ক। ২৮ কিন্তু অৰ্থ বুজাই দিওঁতা যদি কোনো নাই, তেনেহলে তেওঁ
মণ্ডলীত নিজম দি থাকি কেৱল নিজৰ আৰু ঈশ্বৰৰ উদ্দেশ্যে কথা
কওক। ২৯ আৰু ভাববাদী দুই বা তিনি জনে কথা কওক, আন সকলে
বিবেচনা কৰি চাওক। ৩০ কিন্তু উপাসনাত বহি থকা সকলৰ কোনো
জনৰ আগত কিবা কথা প্ৰকাশিত হ’লে প্ৰথম জন নিজম দি থাকক।
৩১ কিয়নো অাপোনালোক সকলোৱেই এজন এজনকৈ ঐশ্বৰিক
ভাবোক্তি প্ৰচাৰ কৰি, আন এজনক শিকাব পাৰে আৰু সকলোকে
উদগাওক৷ ৩২ কিয়নো ভাববাদী সকলৰ আত্মা ভাববাদী সকলৰ
বশত থাকে। ৩৩ কিয়নো ঈশ্বৰে কেতিয়াও বিশৃংখল সৃষ্টি নকৰে, কিন্তু

তেওঁ, শান্তি দিওঁতা ঈশ্বৰ হয়। যেনেকৈ পবিত্ৰ লোক সকলৰ মণ্ডলীত,
৩৪ তেনেকৈ আপোনালোকৰ মণ্ডলী সমূহতো মহিলা সকল নিজম দি
থাকক; কিয়নো কথা ক'বলৈ তেওঁলোকক অনুমতি দিয়া নাযায়; কিন্তু
তেওঁলোকে নিবেদন কৰি থাকক, বিধান-শাস্ত্ৰয়েও সেইদৰেই কয়।
৩৫ কিন্তু তেওঁলোকে যদি কিবা সুধি শিক্ষা পাব খোজে, তেনেহলে
ঘৰতে নিজ নিজ স্বামীক সোধক; কিয়নো মণ্ডলীত মহিলা মানুহে কথা
কোৱা লাজৰ বিষয়। ৩৬ নতুবা, ঈশ্বৰৰ বাক্য আপোনালোকৰ মাজৰ
পৰা ওলাইছিল নে? বা অকল আপোনালোকৰ ওচৰলৈহে আহিছিল
নে? ৩৭ কোনোৱে যদি নিজকে নিজে ভাববাদী বা আত্মিক বুলি মানে,
তেনেহলে মই আপোনালোকলৈ যিবোৰ কথা লিখিছোঁ, সেইবোৰ
ঈশ্বৰৰ আদেশ বুলি তেওঁ জানক। ৩৮ কিন্তু কোনোৱে যদি নাজানে,
তেনেহলে তেওঁ নাজানক। ৩৯ এই কাৰণে, হে মোৰ প্ৰিয় ভাই আৰু
ভনী সকল, ঐশ্বৰিক ভাবোক্তি প্ৰচাৰ কৰিবলৈ হাবিয়াহ কৰক আৰু
পৰভাষা ক'বলৈ নিষেধ নকৰিব। ৪০ কিন্তু সকলো কৰ্ম সুন্দৰকৈ
শালিনতা বজাই কৰা হওক।

**১৫** হে প্ৰিয় ভাই আৰু ভনী সকল যি শুভবাৰ্তা মই আপোনালোকৰ
আগত প্ৰচাৰ কৰিলোঁ, সেয়া আপোনালোকক জনাইছোঁ; সেইবোৰ
আপোনালোকে গ্ৰহণ কৰিলে, আৰু তাতে থিৰেও আছে; ২ আৰু যি
বাক্যৰ দ্বাৰাই মই আপোনালোকৰ আগত শুভবাৰ্তা প্ৰচাৰ কৰিলোঁ,
সেয়া যদি আপোনালোকে ধৰি আছে, তেনেহলে তাৰ দ্বাৰাই পৰিত্ৰাণো
পাইছে; নতুবা আপোনালোকে বৃথাই বিশ্বাস কৰিলে। ৩ কিয়নো মই
যি শিক্ষা পালোঁ, তাৰে এই প্ৰধান শিক্ষা আপোনালোকক দিলোঁ যে,
ধৰ্মশাস্ত্ৰ অনুসাৰে খ্ৰীষ্ট আমাৰ পাপৰ কাৰণে মৰিল; ৪ আৰু তেওঁক
মৈদাম দিয়া হ'ল; আৰু ধৰ্মশাস্ত্ৰ অনুসাৰে তৃতীয় দিনা পুনৰুত্থিত হ'ল;
৫ আৰু তেওঁ কৈফাক দেখা দিলে; পাছত সেই বাৰ জনক, ৬ আৰু তাৰ
পাছত পাঁচশতকৈ অধিক ভাই আৰু ভনি সকলক একে সময়তে দেখা
দিলে; তেওঁলোকৰ অধিক ভাগ এতিয়ালৈকে আছে, কিন্তু কোনো
কোনো নিদ্ৰিত হ'ল। ৭ পাছত যাকোবক আৰু তাৰ পাছত পাঁচনি
সকলৰ আগত তেওঁ দেখা দিলে। ৮ সকলোৰে শেষত অকালত জন্মাৰ

নিচিনা যি মই, মোকো দেখা দিলে। ৯ কিয়নো পাঁচনি সকলৰ মাজত
মই সকলোতকৈ সৰু, এনে কি, পাঁচনি নাম পাবৰো যোগ্য নহওঁ;
কাৰণ মই ঈশ্বৰৰ মণ্ডলীক তাড়না কৰিছিলোঁ। ১০ তথাপি মই যি
হৈছোঁ; ঈশ্বৰৰ অনুগ্ৰহেৰেহে হৈছোঁ; আৰু মোলৈ তেওঁৰ যি অনুগ্ৰহ,
সেয়ে ব্যৰ্থ নহ'ল; কিন্তু মই তেওঁলোকতকৈ অধিক পৰিশ্ৰম কৰিলোঁ;
কিন্তু ময়েই যে কৰিলোঁ, এনে নহয়, ঈশ্বৰৰ অনুগ্ৰহে মোৰ লগত
কৰিলে। ১১ এতেকে মই বা তেওঁলোক যেয়ে হওক, আমি সেইদৰে
ঘোষণা কৰিলোঁ আৰু আপোনালোকে সেইদৰে বিশ্বাস কৰিলে। ১২
কিন্তু খ্ৰীষ্টক যে মৃতবোৰৰ মাজৰ পৰা তোলা হ'ল, ইয়াক যদি ঘোষণা
কৰা হয়, তেনেহলে মৃতবোৰৰ পুনৰুত্থান নাই বুলি আপোনালোকৰ
কোনো কোনো লোকে কেনেকৈ কয়? ১৩ যদি মৃতবোৰৰ পুনৰুত্থান
নাই, তেনেহলে খ্ৰীষ্টকো তোলা নহ'ল; ১৪ আৰু খ্ৰীষ্টক যদি তোলা
নহ'ল, তেনেহলে আমাৰ ঘোষণা বৃথা, আপোনালোকৰ বিশ্বাসো বৃথা।
১৫ আৰু আমি ঈশ্বৰৰ মিছা সাক্ষী দিছোঁ বুলি ওলাই পৰিম; কাৰণ আমি
ঈশ্বৰৰ বিষয়ে এই সাক্ষ্য দিলোঁ যে, তেওঁ খ্ৰীষ্টক তুলিলে; ১৬ কিয়নো,
যদি মৃতবোৰক তোলা নহয়, তেনেহলে খ্ৰীষ্টকো তোলা নহ'ল; ১৭
আৰু যদি খ্ৰীষ্টক তোলা নহ'ল, তেনেহলে আপোনালোকৰ বিশ্বাস
অসাৰ্থক; আপোনালোক এতিয়াও নিজ নিজ পাপতেই আছে। ১৮
তেনেহ'লে খ্ৰীষ্টৰ আশ্ৰয়ত নিদ্ৰিত হোৱা সকলো বিনষ্ট হৈছে। ১৯
খ্ৰীষ্টত আমাৰ যি আশা, সেয়ে যদি অকল এই জীৱনৰ আয়ুস কাললৈ
হয়, তেনেহলে আমি সকলো মানুহতকৈ অধিক দয়া নপোৱাকৈ
আছোঁ। ২০ কিন্তু এতিয়া খ্ৰীষ্ট নিদ্ৰিত লোকৰ মাজৰ পৰা উত্থিত হ'ল,
তেৱেঁই মৃত লোক সকলৰ মাজত প্ৰথম ফল৷ ২১ কিয়নো মৃত্যু মনুষ্যৰ
দ্বাৰাই হোৱাত, মৃতবোৰৰ পুনৰুত্থানো মনুষ্যৰ দ্বাৰাই হ'ল। ২২ কাৰণ
আদমত যেনেকৈ সকলো মৰে, তেনেকৈ খ্ৰীষ্টত সকলোৱে জীৱন পাব।
২৩ কিন্তু প্ৰতিজনে নিজ নিজ শ্ৰেণীত জীৱন পাব; প্ৰথম ফল খ্ৰীষ্ট,
খ্ৰীষ্টত যি সকল মোনোনীত, তেওঁৰ আগমণত সেই মৃত লোক সকলেই
উঠিব। ২৪ ইয়াৰ পাছত শেষ হ'ব; কিয়নো তেওঁ সকলো শাসনকৰ্তাৰ
ক্ষমতা, আৰু পৰাক্ৰম লোপ কৰি পিতৃ ঈশ্বৰৰ হাতত ৰাজ্য শোধাই

দিব। ২৫ কিয়নো যেতিয়ালৈকে তেওঁ সকলো শত্ৰুক তেওঁৰ ভৰিৰ
তল নকৰে, তেতিয়ালৈকে তেওঁ ৰাজত্ব কৰিব লাগিব। ২৬ শেষ
শত্ৰু যি মৃত্যু, তাকো ধ্বংস কৰা হ'ব। ২৭ কিয়নো 'তেওঁ সকলোকে
বশীভূত কৰি তেওঁৰ ভৰিৰ তলত থলে'। কিন্তু 'সকলোৱে বশীভূত
হ'ব' বুলি যেতিয়া তেওঁ কয়, তেতিয়া যি জনে সকলোকে তেওঁৰ
বশীভূত কৰিলে, তেওঁ যে সেইবোৰৰ পৰা বাহিৰ, এয়ে প্ৰকাশিত হয়।
২৮ আৰু সকলোৱেই খ্ৰীষ্টৰ বশীভূত হ'লে, পুত্ৰ নিজে পিতৃ ঈশ্বৰৰ
অধীন হব৷ যেন ঈশ্বৰ, যি জনে তেওঁক সকলোৰে ওপৰত অধিকাৰ
কৰিবলৈ দিছে, তেৱেঁই সৰ্বেসৰ্বা হয়৷ ২৯ আৰু মৃতবোৰৰ কাৰণে
বাপ্তাইজিত হোৱা লোকে কি কৰিব? যদি মৃতবোৰক সমুলি তোলা
নহয়, তেনেহলে তেওঁলোকৰ কাৰণে সেই লোক কিয় বাপ্তাইজিত হয়?
৩০ আৰু আমিও বা কিয় প্ৰতি মূহুৰ্তত সঙ্কটত পৰো? ৩১ হে প্ৰিয় ভাই
আৰু ভনী সকল, আমাৰ প্ৰভু খ্ৰীষ্ট যীচুত আপোনালোকৰ বিষয়ে মোৰ
যি গৰ্ব আছে, তাৰ দোহাই দি কৈছোঁ, প্ৰতি দিনেই মই মৃত্যু-মুখত
আছোঁ। ৩২ মই যদি মানুহৰ দৰেহে ইফিচত বনৰীয়া জন্তুৰে সৈতে যুদ্ধ
কৰিলোঁ, তেনেহলে মোৰ কি লাভ হ'ল? মৃতবোৰক যদি তোলা নহয়,
তেনেহলে "আহক, আমি ভোজন-পান কৰোঁহক; কিয়নো কালিলৈ
আমি মৰিম"। ৩৩ আপোনালোক ভ্ৰান্ত নহ'ব; কু-সঙ্গই সদাচাৰ নষ্ট
কৰে। ৩৪ ধাৰ্মিকভাৱে সচেতন হওক৷ পাপ নকৰিব; কিয়নো ঈশ্বৰৰ
কথাত কোনো কোনো জনৰ যোগ্য জ্ঞান নাই। আপোনালোকে লাজ
পাবলৈ মই এই কথা কৈছোঁ। ৩৫ কিন্তু কিছুমানে কয়, "মৃতবোৰ
কেনেকৈ পুনৰুত্থিত হব? আৰু কেনেকুৱা দেহৰ সৈতে তেওঁলোক
আহিব?" ৩৬ হে নিৰ্ব্বোধ, তুমি যি বীজ ৰোপণ কৰিছা, সি নমৰা
পৰ্য্যন্ত নগজে; ৩৭ আৰু পাছত যি ডাল ওলাব, সেয়া তুমি ৰোৱা নাই৷
গোম হওক, বা আন কোনো ধানেই হওক, তুমি গুটি মাথোন ৰোপণ
কৰিছা; ৩৮ কিন্তু ঈশ্বৰে নিজ ইচ্ছাৰে তাক গা দিয়ে, আৰু প্ৰত্যেক
গুটিক নিজ নিজ গা দিয়ে। ৩৯ সকলো মঙহ একে ৰূপ মঙহ নহয়;
কিন্তু মানুহ বা পশুৰ হওক, চৰাই বা মাছৰেই হওক, বেলেগ বেলেগ
আকৃতিৰ মঙহ আছে। ৪০ স্বৰ্গীয় শৰীৰ আছে, পাৰ্থিৱ শৰীৰো আছে;

কিন্তু স্বৰ্গীয়বোৰৰ কান্তি এক প্ৰকাৰ আৰু পাৰ্থিৱবোৰৰ কান্তি এক
প্ৰকাৰ। ৪১ সূৰ্যৰ গৌৰৱ এক প্ৰকাৰৰ উজ্বল, চন্দ্ৰৰ গৌৰৱ আন এক
ধৰণৰ, নক্ষত্ৰবোৰৰো গৌৰৱ অন্য ধৰণৰ; আকৌ তৰাবোৰৰ ক্ষেত্ৰতো
এটা তৰাতকৈ আনটো তৰাৰ উজ্বল ভিন্ন হয়। ৪২ সেইদৰে মৃতবোৰৰ
পুনৰুত্থানো একে। যিহক ৰোৱা যায়, সেয়ে ক্ষয়ৰ পাত্ৰ; যিহক তোলা
হয়, সেয়ে অক্ষয়তাৰ পাত্ৰ; ৪৩ যিহক ৰোৱা যায়, সেয়ে অনাদৰৰ
পাত্ৰ; যিহক তোলা হয়, সেয়ে গৌৰৱৰ পাত্ৰ; যিহক ৰোৱা যায়, সেয়ে
দূৰ্বলতাৰ পাত্ৰ; যিহক তোলা হয়, সেয়ে প্ৰভাৱৰ শক্তি; ৪৪ যিহক
ৰোৱা যায়, সেয়ে স্বাভাৱিক দেহ, যিহক তোলা হয়, সেয়ে আত্মিক
দেহ। যদি দৈহিক দেহ আছে, তেনেহলে আত্মিক দেহো আছে। ৪৫
এইদৰে লিখাও আছে, “প্ৰথম মানুহ আদম জীৱনময় প্ৰাণী হ’ল; কিন্তু
শেষৰ আদম জীৱনদায়ক আত্মা হল”। ৪৬ তথাপি আত্মিক যি, সেয়ে
প্ৰথম নহয়; কিন্তু স্বাভাৱিক যি সেয়েহে প্ৰথম, যি আত্মিক সেয়ে পাছত
হ’ল। ৪৭ প্ৰথম মানুহ পৃথিৱীৰ ধূলিৰ পৰা হোৱা, মৃন্ময়; কিন্তু দ্বিতীয়
মানুহ স্বৰ্গৰ পৰা অহা। ৪৮ সেই মৃন্ময় জন যেনে আছিল, মৃন্ময়বোৰো
তেনে; আৰু সেই স্বৰ্গীয়লোক সকল, সেই স্বৰ্গীয় লোক খ্ৰীষ্টৰ দৰে৷
৪৯ আৰু আমি যেনেকৈ সেই মৃন্ময় জনৰ প্ৰতিমূৰ্তি ধাৰণ কৰিলোঁ,
তেনেকৈ সেই স্বৰ্গীয় জনৰ প্ৰতিমূৰ্তিও ধাৰণ কৰিম। ৫০ কিন্তু হে প্ৰিয়
ভাই আৰু ভনী সকল আপোনালোকক কওঁ, মাংস আৰু তেজ ঈশ্বৰৰ
ৰাজ্যৰ অধিকাৰী হ’ব নোৱাৰে; আৰু ক্ষয়শীল অক্ষয়তাৰ অধিকাৰী
হব নোৱাৰে। ৫১ চাওক, মই আপোনালোকক এটি নিগূঢ়-তত্ব কওঁ,
আমি সকলোৱেই নিদ্ৰিত নহ’ম; কিন্তু চকুৰ পচাৰতে ৰূপান্তৰিত হ’ম।
৫২ এক মুহূৰ্ততে যেতিয়া শেষ তূৰী বাজিব, তেতিয়া চকুৰ পলকতে
সেয়া ঘটিব৷ তুৰি যেতিয়া বাজিব, তেতিয়া মৃত লোক সকল অক্ষয়ণীয়
হৈ উত্থিত হ’ব আৰু আমি সকলোৱেই ৰূপান্তৰিত হ’ম। ৫৩ কিয়নো
এই ক্ষয়শীল দেহাই অক্ষয়তাৰ বস্ত্ৰ পিন্ধিব আৰু এই মৃত্যুৰ পাত্ৰই
অমৰতাক পিন্ধিব লাগিব। ৫৪ পাছত যেতিয়া এই ক্ষয়ৰ দেহাই
অক্ষয়তাক আৰু এই মৃত্যুৰ দেহাই অমৰতাক পিন্ধিব, তেতিয়া এই যি
কথা লিখা আছে, বোলে- “জয়ৰ অৰ্থে মৃত্যুক গিলি খোৱা হ’ল, সেয়ে

সিদ্ধ হ’ব” ৫৫ “হে মৃত্যু, তোমাৰ জয় ক’ত? হে মৃত্যু, তোমাৰ হুল
ক’ত?” (Hadēs g86) ৫৬ মৃত্যুৰ হুল পাপ আৰু পাপৰ শক্তি বিধান। ৫৭
কিন্তু ঈশ্বৰক ধন্যবাদ দিওঁ, তেওঁ আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ দ্বাৰাই আমাক
জয় দান কৰিলে। ৫৮ এতেকে, হে মোৰ প্ৰিয় ভাই আৰু ভনী সকল
আপোনালোকে সুস্থিৰ আৰু দৃঢ় সংকল্প কৰক, ঈশ্বৰৰ কাৰ্যত সকলো
সময়তে নিজকে সম্পূৰ্ণৰূপে সপি দিয়ক। আপোনালোকে জানে যে,
ঈশ্বৰৰ বাবে কৰা পৰিশ্ৰম ব্যৰ্থ নহয়।

**১৬** পবিত্ৰ লোক সকলৰ কাৰণে দান তোলাৰ বিষয়ে হ’লে,
মই গালাতীয়াৰ মণ্ডলী সমূহক যেনেকৈ আদেশ দিলোঁ, তেনেকৈ
আপোনালোকেও কৰিব। ২ সপ্তাহৰ প্ৰথম দিনা আপোনালোকৰ
উপাৰ্জনৰ পৰা প্ৰতিজনে নিজ নিজ আয় অনুসাৰে নিজৰ ঘৰৰ
কোনোবা বিশেষ স্থানত সাঁচি ৰাখিব। মই যেতিয়া আপোনালোকৰ
ওচৰত উপস্থিত হ’ম, তেতিয়া যেন দান তোলা নহয়। ৩ এই কাৰণে
মই যেতিয়া উপস্থিত হ’ম, তেতিয়া আপোনালোকে যি সকলক যোগ্য
বুলি বিবেচনা কৰে তেওঁলোকৰ হাতত সেই দান যিৰূচালেমলৈ দি
পঠাব। আমি লিখি দিয়া এখন পত্ৰ তেওঁলোকে প্ৰমাণ স্বৰূপে লৈ যাব। ৪
যদি আমি যোৱাতো উচিত হয়, তেনেহলে তেওঁলোক অামাৰ লগতে
যাব। ৫ কিন্তু যেতিয়া আমি মাকিদনিয়া হৈ - যাত্ৰা কৰিম, তেতিয়া
মই আপোনালোকৰ ওচৰলৈ আহিম। ৬ আপোনালোকৰ লগত
কিজানি কিছুদিন থাকিম, হয়তো জাৰ-কালো আপোনালোকৰ লগত
কটাম; পাছত মই যাবলগীয়া ঠাইলৈ যাবৰ বাবে আপোনালোকেই
মোক যোৱাৰ ব্যবস্থা কৰি দিব পাৰিব। ৭ এতিয়া মই যাত্ৰা পথত
আপোনালোকৰ সৈতে সাক্ষাৎ কৰিবলৈ বিচৰা নাই; কাৰণ প্ৰভুৰ ইচ্ছা
হ’লে, আপোনালোকৰ লগত কিছুদিন থাকিবলৈ মই আশা কৰি আছোঁ।
৮ তথাপি পঞ্চাশ-দিনীয়া পৰ্বলৈকে মই ইফিচত থাকিম; ৯ কিয়নো
কাৰ্যসাধক এখন বহল দুৱাৰ মোৰ বাবে মুকলি হৈছে; আৰু তাত
বিৰোধী বহুত আছে। ১০ এতিয়া যদি আপোনালোকৰ ওচৰত তীমথিয়
উপস্থিত হয়, তেনেহলে তেওঁ যাতে আপোনালোকৰ তাত নিৰ্ভয়ে
থাকে, কিয়নো তেওঁ মোৰ দৰেই প্ৰভুৰ কাৰ্য কৰে, কোনেও যেন

তেওঁক হেয়জ্ঞান নকৰে৷ ১১ কিন্তু তেওঁ যেন মোৰ ওচৰলৈ আহে, এই
কাৰণে আপোনালোকে তেওঁক কুশলে আগবঢ়ায় থ’ব; কিয়নো তেওঁ
ভাই সকলৰ সৈতে অহালৈ, মই বাট চাই আছোঁ। ১২ এতিয়া আপল্লো
ভাইৰ প্ৰসংগত কওঁ, আমি তেওঁক দৃঢ়তাৰে সকলো প্ৰকাৰৰে ভাই
সকলৰ সৈতে আপোনালোকৰ ওচৰলৈ যাবৰ বাবে, মই তেওঁক বহুত
মিনতি কৰিলোঁ; কিন্তু এতিয়া যাবলৈ তেওঁ ঠিৰাং কৰা নাই; তথাপি
যেতিয়া সুযোগ পাব, তেতিয়া তেওঁ আপোনালোকৰ ওচৰলৈ যাব। ১৩
আপোনালোক সজাগ হৈ থাকক; বিশ্বাসত সুস্থিৰ হোৱা, ডেকা সকলৰ
দৰে শক্তিমন্ত হওক। ১৪ আপোনালোকৰ সকলো কৰ্ম প্ৰেমেৰে কৰা
হওক। ১৫ হে ভাই সকল মই আপোনালোকক এই মিনতি কৰিছোঁ,
স্তিফানাৰ পৰিয়াল, যি আখায়া দেশৰ প্ৰথম ফলস্বৰূপ আৰু তেওঁলোকে
যে পবিত্ৰ লোকৰ পৰিচৰ্যা কৰিবলৈ স্ব-ইচ্ছাৰে ভাৰ ল’লে, সেই বিষয়ে
আপোনালোকে জানে; ১৬ আপোনালোকে এনেকুৱা লোকৰ কাৰ্যত,
সাহায্য আৰু পৰিশ্ৰম কৰা সকলৰ বশীভূত হওক। ১৭ আমি সকলো
আনন্দিত হৈছোঁ, কাৰণ স্তিফান, ফৰ্তুনাত আৰু আখায়িক ইয়ালৈ অহাত
আপোনালোক নথকাত মোৰ যি অভাৱ আছিল, সেই অভাৱ তেওঁলোকে
সম্পূৰ্ণ কৰিলে। ১৮ কাৰণ তেওঁলোকে আপোনালোকৰ নিচিনাকৈ
মোৰ আত্মা জুৰালে; এতেকে আপোনালোকে এনে লোকক চিনি
পাবলৈ ভুল নকৰিব। ১৯ এচিয়া দেশৰ মণ্ডলী সমূহে আপোনালোকক
শুভেচ্ছা জনাইছে৷ আক্কিলা, প্ৰিস্কা আৰু তেওঁলোকৰ ঘৰত গোট খোৱা
মণ্ডলীয়ে আপোনালোকক প্ৰভুত শুভেচ্ছা জনাইছে৷ ২০ সকলো ভাই,
ভনী সকলে আপোনালোকক শুভেচ্ছা জনাইছে৷ আপোনালোকেও
পৰস্পৰে ইজনে সিজনক পবিত্ৰ চুমাৰে শুভেচ্ছা জনাব৷ ২১ মই,
পৌলে, নিজ হাতেৰে এই শুভেচ্ছা বাণী লিখি পঠালোঁ৷ ২২ কোনোৱে
যদি প্ৰভুক প্ৰেম নকৰে, তেওঁ শাপগ্ৰস্ত হওক। আমাৰ প্ৰভু আহক৷ ২৩
প্ৰভু যীচু খ্ৰীষ্টৰ অনুগ্ৰহ আপোনালোকৰ লগত থাকক। ২৪ খ্ৰীষ্ট যীচুত
মোৰ প্ৰেম আপোনালোক সকলোৰে লগত থাকক। আমেন।

# ২ কৰিন্থীয়া

১ ঈশ্বৰৰ ইচ্ছা অনুসাৰে হোৱা খ্ৰীষ্ট যীচুৰ পাঁচনি পৌল, আৰু তীমথিয়
ভাই - কৰিন্থত থকা ঈশ্বৰৰ মণ্ডলীৰ আৰু গোটেই আখায়া দেশত
থকা সকলো পবিত্ৰ লোকৰ সমীপলৈ: ২ আমাৰ পিতৃ ঈশ্বৰ আৰু
প্ৰভু যীচু খ্ৰীষ্টৰ পৰা আপোনালোকলৈ অনুগ্ৰহ আৰু শান্তি হওক। ৩
আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ পিতৃ ঈশ্বৰ ধন্য হওক; তেৱেঁই দয়ালু পিতৃ আৰু
সকলো সান্ত্বনাৰ ঈশ্বৰ। ৪ আমি নিজে ঈশ্বৰৰ পৰা যি সান্ত্বনা পাওঁ,
সেই সান্ত্বনাৰে যেন ক্লেশত থকা সকলক সান্ত্বনা দিব পাৰোঁ, এই
কাৰণে তেওঁ আমাৰ ক্লেশৰ মাজত আমাক সান্ত্বনা দিয়ে। ৫ কিয়নো
খ্ৰীষ্টৰ দুখ আমাৰ বাবে যেনেকৈ উপচি পৰে, তেনেকৈ খ্ৰীষ্টৰ দ্বাৰাই
আমাৰ সান্ত্বনা উপচি পৰে। ৬ কিন্তু আমি যদি যন্ত্ৰণাগ্ৰস্ত, তেনেহলে
সেয়ে আপোনালোকৰ সান্ত্বনা আৰু পৰিত্ৰাণ নাইবা আমি যদি সান্ত্বনা
প্ৰাপ্ত, তেনেহলে সেই জনো আপোনালোকৰ সান্ত্বনাৰ বাবে আৰু সেই
সান্ত্বনাই, আমি ভোগ কৰা একে দুখকে ধৈৰ্যৰে সহন কৰাই, নিজ কাৰ্য
সাধন কৰে। ৭ আৰু আপোনালোক যেনেকৈ দুখভোগৰ, তেনেকৈ
সান্ত্বনাৰো যে সহভাগী ইয়াকে জানিবলৈ পাই, আপোনালোকৰ অৰ্থে
আমাৰ আশা নিশ্চিত হৈ আছে। ৮ কিয়নো, হে ভাই সকল, এচিয়া
দেশত আমাৰ ওপৰত যি ক্লেশ ঘটিছিল, সেই বিষয়ে আপোনালোকে
নজনাকৈ থকা আমাৰ ইচ্ছা নাই: সেই ক্লেশত অধিক পৰিমাণে শক্তিৰ
অতিৰিক্তৰূপে এনে ভাৰগ্ৰস্থ হ'লোঁ যে, আমাৰ জীৱনৰো আশা নাছিল।
৯ প্ৰকৃতপক্ষে, আমি মৃত্যুদণ্ড পোৱাৰ যোগ্য আছিলোঁ৷ সেয়েহে আমি
নিজৰ ওপৰত ভাৰসা নকৰোঁহক, কিন্তু ইয়াৰ পৰিৱৰ্তে যি জন মৃত্যুৰ
পৰা তোলোঁতা, সেই জন ঈশ্বৰত ভাৰসা ৰাখোহঁক৷ ১০ তেৱেঁই
ইমান ভয়ঙ্কৰ মৃত্যুৰ পৰা আমাক উদ্ধাৰ কৰিলে আৰু কৰি আছে আৰু
আগলৈকো উদ্ধাৰ কৰি থাকিব বুলি আমি তেওঁতেই আশা ৰাখিছোঁ; ১১
ইয়াতে আপোনালোকেও প্ৰাৰ্থনা কৰাৰ যোগেদি আমাৰ অৰ্থে সহকাৰী
হৈ আছে। অনেকৰ দ্বাৰাই যি অনুগ্ৰহৰ বৰ আমাক দিয়া হ'ল, তাৰ
কাৰণে, অনেকৰ দ্বাৰাই আমাৰ অৰ্থে ঈশ্বৰৰ ধন্যবাদ কৰা হয়। ১২
এতিয়া আমাৰ শ্লাঘা এয়ে যে, আমাৰ বিবেকে সাক্ষ্য দিয়ে, মাংসিক

জ্ঞানেৰে নহয়, কিন্তু ঈশ্বৰৰ অনুগ্ৰহেৰে জগতলৈ, এনে কি, অধিক
পৰিমাণে আপোনালোকলৈ ঈশ্বৰে দিয়া পবিত্ৰতা আৰু অকপটতাৰে
সৈতে আমি আচৰণ কৰিলোঁ। ১৩ আপোনালোকে পঢ়িব নোৱাৰা আৰু
বুজি নোপোৱা, এনে কোনো কথা আমি আপোনালোকলৈ লিখা নাই;
এই বিষয়ত মই সুনিশ্চিত। ১৪ এনেদৰে আপোনালোকে আগেয়েও
আমাক কিছু পৰিমাণে বুজি পাইছে, আমাৰ প্ৰভু যীচুৰ দিনত যেনেকৈ
আপোনালোক আমাৰ, তেনেকৈ আমিও আপোনালোকৰ শ্লাঘাৰ কাৰণ
হ'ম। ১৫ কাৰণ এই বিষয়ে মই দৃঢ় প্ৰত্যয় যে, আপোনালোকে দ্বিতীয়
অনুগ্ৰহ পাবৰ কাৰণে, মই আগেয়ে আপোনালোকৰ তালৈ যাম৷ ১৬
আৰু আপোনালোকক দেখা কৰি, পাছত তাৰ পৰাই মাকিদনিয়া
দেশলৈ গৈ, পাছত মাকিদনিয়াৰ পৰা আপোনালোকৰ ওচৰলৈ উলটি
আহি, যিহুদীয়ালৈ যাবৰ বাবে আপোনালোকৰ দ্বাৰাই আগবঢ়ায়
থোৱা হ'ম। ১৭ যেতিয়া এই ধৰণে ভাবিলো, মই জানো অস্থিৰতা
দেখুৱাইছিলোঁ? নাইবা মই যি ভাবো, সেয়ে মোত 'হয়, হয়', পাছে
'নহয়, নহয়' হ'বলৈ, মই মাংস অনুসাৰে ভাবো নে? ১৮ কিন্তু ঈশ্বৰ
বিশ্বাসী; এই কাৰণে আপোনালোকক এবাৰ 'হয়', পাছত 'নহয়',
এই ধৰণে আমি নকওঁ। ১৯ কিয়নো আমাৰ দ্বাৰাই, অৰ্থাৎ মোৰ,
চীলৰ আৰু তীমথিয়ৰ দ্বাৰাই আপোনালোকৰ আগত যি জনৰ কথা
প্ৰচাৰ কৰা হৈছিল, সেই জনা ঈশ্বৰৰ পুত্ৰ যীচু খ্ৰীষ্ট বাবে, 'হয়'
পাছত 'নহয়' এনে নহয়; কিন্তু তেওঁত চিৰকাল 'হয়'হে হয়। ২০
কিয়নো ঈশ্বৰৰ সকলো প্ৰতিজ্ঞা তেওঁত 'হয়৷' এই কাৰণে, আমাৰ
যোগেদি ঈশ্বৰৰ মহিমা হ'বলৈ, তেওঁৰ দ্বাৰাই 'আমেন' বুলিও কওঁ।
২১ এতিয়া এই জন ঈশ্বৰে, আপোনালোকৰ সৈতে আমাকো খ্ৰীষ্টত
স্থিৰ কৰিছে আৰু আমাক অভিষিক্ত কৰিলে৷ ২২ তেওঁেই আমাৰ
হৃদয়ত বইনাস্বৰূপে পবিত্ৰ আত্মা দি আমাৰ জীৱনত মোহৰো মাৰিলে।
২৩ আপোনালোকলৈ মোৰ মৰম থকা বাবেই, মই এতিয়ালৈকে
কৰিন্থলৈ যোৱা নাই, মোৰ প্ৰাণৰ ওপৰত ঈশ্বৰকহে এই কথাৰ সাক্ষী
লৈছোঁ। ২৪ আমি যে আপোনালোকৰ বিশ্বাসৰ ওপৰত প্ৰভুত্ব কৰিছোঁ,

এনে নহয়, কিন্তু আপোনালোকৰ আনন্দৰ সহকাৰী হৈছোঁ, কিয়নো
আপোনালোক বিশ্বাসত স্থিৰ হৈ আছে।

২ সেয়েহে কিছুমান দুখজনক পৰিস্থিতিৰ বাবে পুনৰাই
আপোনালোকৰ ওচৰলৈ নাযাওঁ বুলি মই নিজৰ বিষয়ত বিবেচনা
কৰিলোঁ৷ ২ কিয়নো মই যদি আপোনালোকক বেজাৰ দিওঁ তেনেহলে
মোক আনন্দিত কৰোঁতা কোন থাকিব? কেৱল মোৰ দ্বাৰাই বেজাৰ
পোৱা সেই লোকেই থাকিব? ৩ আৰু এই সকলোবোৰ কথা লিখিলোঁ,
যাতে যেতিয়া মই আহিম, তেতিয়া যি জনৰ ওচৰৰ পৰা আমি
আনন্দ পোৱা উচিত, সেই জনৰ পৰা যেন দুখ পাবলগীয়া নহয়।
কিয়নো আপোনালোকৰ বিষয়ে মোৰ দৃঢ় বিশ্বাস এই যে, আমাৰ
আনন্দত আপোনালোক সকলোৱে আনন্দিত হব।। ৪ বহু কষ্ট,
মনো-বেদনা, আৰু চকুৰপানীৰে আপোনালোকলৈ লিখিলোঁ। মই
আপোনালোকক দুখ দিবলৈ বিচৰা নাই, কিন্তু বুজাবলৈ বিচাৰিছোঁ যে,
মই আপোনালোকক কিমান প্ৰেম কৰোঁ। ৫ কিন্তু কোনোৱে যদি দুখ
দি থাকে, তেনেহলে তেওঁ অকল মোক দুখ দিলে এনে নহয়; বেছি
বঢ়াই নকলেও মই এটা কথা কওঁ যে, তেওঁ আপোনালোক সকলোকে
দুখ দিলে। ৬ এনে মানুহলৈ অধিক ভাগ লোকে দিয়া শাস্তিয়েই যথেষ্ট।
৭ এতেকে তাতকৈ এনে মানুহক আপোনালোকে ক্ষমা কৰক আৰু
সান্ত্বনা দিয়া উচিত। নহলে তেওঁ হয়তো অতিৰিক্ত মনৰ দুখত হতাশ
হৈ পৰিব। ৮ মই আপোনালোকক উৎসাহিত কৰিছোঁ, এনে ব্যক্তিক
যে আপোনালোকে এতিয়াও প্ৰেম কৰে, ইয়াকে মুকলিভাবে বুজিব
দিয়ক৷ ৯ কিয়নো সকলো বিষয়ত আপোনালোক আজ্ঞাধীন হয় নে
নহয়, তাৰ প্ৰমাণ পোৱাৰ আশয়েৰে লিখিলোঁ। ১০ যদি আপোনালোকে
কোনো এজনৰ দোষ ক্ষমা কৰে, তেনেহলে ময়ো সেইদৰে ক্ষমা কৰোঁ৷
এই কাৰণে মই যদি কিবা ক্ষমা কৰিলোঁ, তেনেহলে যি ক্ষমা কৰিলোঁ,
খ্ৰীষ্টৰ সাক্ষাতে আপোনালোকৰ কাৰণেই ইয়াক কৰিলোঁ; ১১ কিয়নো
চয়তানে যেন আমাৰ ওপৰত ছল নাপায়৷ কাৰণ তাৰ পৰিকল্পনা
আমি নজনা নহওঁ। ১২ খ্ৰীষ্টৰ শুভবাৰ্তা প্ৰচাৰ কৰিবৰ কাৰণে মই
ত্ৰোৱা নগৰলৈ আহোতে, যদিও প্ৰভুৰ দ্বাৰাই মোলৈ এখন দুৱাৰ

মুকলি কৰা হৈছিল, ১৩ মোৰ ভাই তীতক তাতে লগ নোপোৱাত,
মোৰ আত্মাত একো শান্তি নাপালোঁ; সেয়েহে তেওঁলোকক এৰি বিদায়
লৈ মাকিদনিয়ালৈ আহিলোঁ। ১৪ কিন্তু সেই ঈশ্বৰ ধন্য, যি জনাই
আমাক সদায় খ্রীষ্টত জয়যুক্ত হ'বলৈ পথ দেখুৱাই আৰু আমাৰ দ্বাৰাই
তেওঁৰ জ্ঞানৰূপ সুগন্ধ সকলো ঠাইতেই প্ৰকাশ কৰে। ১৫ কিয়নো
পৰিত্ৰাণৰ পাত্ৰ আৰু বিনাশৰ পাত্ৰ সকলৰ মাজত আমি ঈশ্বৰলৈ খ্রীষ্টৰ
সুঘ্ৰাণ স্বৰূপ। ১৬ যি সকল হেৰাই গৈছে, তেওঁলোকৰ ওচৰত আমি
মৃত্যুৰ পৰা উৎপন্ন মৃত্যুজনক গন্ধ; কিন্তু যি সকলে পৰিত্ৰাণ পালে,
তেওঁলোকৰ ওচৰত আমি জীৱনৰ পৰা উৎপন্ন জীৱনদায়ক গন্ধ। এনে
কৰ্মৰ যোগ্য কোন আছে? ১৭ কিয়নো অধিক ভাগ মানুহৰ দৰে আমি
ঈশ্বৰৰ বাক্যত ভাঁজ দিওঁতা নহওঁ; কিন্তু অকপটতাৰে কোৱাৰ দৰে,
আৰু ঈশ্বৰৰ পৰা শিক্ষা পাই কোৱাৰ দৰে, আমি ঈশ্বৰৰ সাক্ষাতে,
খ্রীষ্টত কথা কওঁ।

৩ আমি নিজৰ প্ৰশংসা কৰিবলৈ আকৌ আৰম্ভ কৰিছোঁ নে? নাইবা
আপোনালোকলৈ বা আপোনালোকৰ পৰা সুখ্যাতিৰ পত্ৰ পাবলৈ,
কোনো কোনো লোকৰ নিচিনাকৈ আমাৰো প্ৰয়োজন আছে নে? ২
আমাৰ হৃদয়ত লিখা আৰু সকলো মানুহে পঢ়ি জনিব পৰা সুখ্যাতিৰ
পত্ৰ আপোনালোকেই হৈ আছে৷ ৩ আপোনালোক আমাৰ দ্বাৰাই খ্রীষ্টৰ
পৰা সম্পাদিত হোৱা পত্ৰ স্বৰূপে প্ৰকাশিত হ'ল, সেয়ে চিয়াঁহীৰে নহয়,
কিন্তু জীৱনময় ঈশ্বৰৰ আত্মাৰ দ্বাৰাইহে লিখা; শিলৰ ফলিতো নহয়,
কিন্তু মাংসময় হৃদয়ৰূপ ফলিতহে লিখা হ'ল। ৪ আৰু ঈশ্বৰৰ প্ৰতি এয়ে
দৃঢ় প্ৰত্যয় আমি খ্রীষ্টৰ দ্বাৰাই পালোঁ। ৫ আমি নিজে নিজে মীমাংসা
কৰিবলৈ নিজ গুণেৰেই যে যোগ্য হওঁ, এনে নহয়; কিন্তু আমাৰ
সেই যোগ্যতা ঈশ্বৰৰ পৰাহে হয়৷ ৬ তেৰেঁই আমাক নতুন নিয়মৰ
পৰিচাৰক হবলৈ যোগ্য কৰিলে৷ সেয়া আখৰৰ নহয়, কিন্তু আত্মাৰহে;
কিয়নো আখৰৰ লিখনি সমূহে বধ কৰে, কিন্তু আত্মাই জীৱন দিয়ে। ৭
কিন্তু মৃত্যুৰ যি পৰিচৰ্যা শিলত কটা আখৰৰ লিখনিৰে প্ৰমাণিত হ'ল,
সেয়ে এনে প্ৰতাপযুক্ত হৈছিল যে, ইস্রায়েলৰ সন্তান সকলে মোচিৰ
মূখলৈ একেথৰে চাব নোৱাৰিলে, যদিও সেই প্ৰতাপ ক্ৰমান্বয়ে কমি

গৈছিল, ৮ তেনেহলে আত্মাৰ পৰিচৰ্যা তাতকৈয়ো প্ৰতাপযুক্ত নহ'ব
নে? ৯ কিয়নো দণ্ডাজ্ঞাৰ পৰিচৰ্যা যদি প্ৰতাপযুক্ত হয়, তেনেহলে
ধাৰ্মিকতাৰ পৰিচৰ্যা তাতকৈয়ো অধিক প্ৰতাপযুক্ত হয়! ১০ কাৰণ
এনে অতিৰিক্ত প্ৰতাপৰ কাৰণে এই বিষয়ে সেই প্ৰতাপযুক্ত পৰিচৰ্যাৰ
গৌৰৱ নাইকিয়া হ'ল। ১১ কাৰণ লুপ্ত হৈ যোৱাটো যদি কান্তিযুক্ত,
তেনেহলে সদায় থকাটো তাতকৈ অধিক প্ৰতাপযুক্ত। ১২ আমাৰ এনে
আশা থকাত, আমি অতি উদাৰ চিত্তেৰে কথা কওঁ, ১৩ আৰু ইস্ৰায়েলৰ
সন্তান সকলে, সেই লুপ্ত হৈ যোৱাটোৰ শেষ যেন একেথৰে চাবলৈ
নাপায়, এই কাৰণে মোচিয়ে যেনেকৈ তেওঁৰ মুখত ওৰণি ল'লে, আমি
তেনেকৈ নকৰোঁ। ১৪ কিন্তু তেওঁলোকৰ মন কঠিন কৰা হ'ল৷ কিয়নো
যেতিয়া পুৰণি বিধান পঢ়া হয়, তেতিয়া তেওঁলোকে আজিও সেই একে
ওৰণি লয়। সেই ওৰণি এতিয়াও আতৰাই দিয়া হোৱা নাই, কাৰণ
একমাত্ৰ খ্ৰীষ্টৰ যোগেদিহে সেয়া সম্ভৱ হ'ল। ১৫ কিন্তু এতিয়ালৈকে
মোচিৰ পুস্তক পঢ়োঁতে, তেওঁলোকৰ হৃদয়ত সদায় ওৰণি আছে।
১৬ কিন্তু যেতিয়া কোনো ব্যক্তি প্ৰভুলৈ ঘূৰে, তেতিয়া সেই ওৰণি
আতৰাই দিয়া হয়। ১৭ প্ৰভুৱেই আত্মা; আৰু প্ৰভুৰ আত্মা য'ত, তাতেই
স্বাধীনতা। ১৮ আৰু আমি সকলোৱে, ওৰণি নোলোৱা মুখেৰে দৰ্পণত
দেখাৰ দৰে প্ৰভুৰ গৌৰৱ চাওতে চাওতে, সেই গৌৰৱৰ পৰা গৌৰৱ
পাই, আত্মাৰূপ প্ৰভুৰ দ্বাৰাই পৰিণত হোৱাৰ দৰে পৰিণত হৈ, সেই
একে প্ৰতিমূৰ্তিৰ হ'ব লাগিছোঁ।

**4** এতেকে আমি এই পৰিচৰ্যা পদ পোৱাত, আৰু একেদৰে দয়া লাভ
কৰাত, কেতিয়াও আমি নিৰুৎসাহ নহওঁ; ২ কিন্তু লাজৰ গুপুত কাৰ্য
ত্যাগ কৰি, ধূৰ্ত্তাচাৰী নহৈ আৰু ঈশ্বৰৰ বাক্যত ভাঁজ নিদি, সত্যতা
প্ৰকাশ কৰি, ঈশ্বৰৰ দৃষ্টিতে সকলো মানুহৰ বিবেকৰ আগত নিজকে
যোগ্য-পাত্ৰ দেখুৱাইছোঁ। ৩ কিন্তু আমাৰ শুভবাৰ্তা যদি ঢকা হয়,
তেনেহলে বিনাশৰ পাত্ৰ সকললৈহে ঢকা হয়; ৪ ঈশ্বৰৰ প্ৰতিমূৰ্তি যি
খ্ৰীষ্ট, তেওঁৰ গৌৰৱ প্ৰকাশক শুভবাৰ্তাৰ দীপ্তি যেন প্ৰকাশিত নহয়,
এই কাৰণে এই যুগৰ দেৱতাই সেই অবিশ্বাসী লোক সকলৰ জ্ঞান-
চকু অন্ধ কৰিলে। **(aiōn g165)** ৫ কাৰণ আমি নিজক নহয়, কিন্তু যীচু

খ্ৰীষ্টক প্ৰভু আৰু যীচুৰ কাৰণে নিজক আপোনালোকৰ দাস বুলি প্ৰচাৰ
কৰোঁ। ৬ যীচু খ্ৰীষ্টৰ মুখত ঈশ্বৰৰ গৌৰৱৰ প্ৰকাশক জ্ঞানৰূপে দীপ্তি
প্ৰকাশ কৰিবলৈ, যি ঈশ্বৰে ক'লে, "কিয়নো আন্ধাৰৰ মাজৰ পৰা
পোহৰ প্ৰকাশিত হ'ব", সেই ঈশ্বৰে আমাৰ হৃদয়ত পোহৰ প্ৰকাশ
কৰিলে। ৭ শক্তিৰ বাহুল্যতা যেন আমাৰ পৰা নহয় কিন্তু ঈশ্বৰৰ হয়,
এই কাৰণে মাটিৰ পাত্ৰ যি আমি, আমাৰ জীৱনত সেই দীপ্তিৰূপ ধন
আছে; ৮ আমি সকলোতে ক্লেশ ভোগ কৰিও, ঠেকত পৰা নহওঁ;
উদিগ্ন হৈয়ো, নিৰাশ নহওঁ; ৯ তাড়না পায়ো, অনাথ নহওঁ; পেলোৱা
হৈয়ো, বিনষ্ট নহওঁ; ১০ আমি সদায় যীচুৰ মৃত্যু শৰীৰত লৈ ফুৰিছোঁ,
যাতে যীচুৰ জীৱন আমাৰ শৰীৰত প্ৰকাশিত হয়। ১১ কিয়নো জীয়াই
থকা যি আমি, আমাৰ মৰ্ত্ত্য মাংসত যীচুৰ জীৱন প্ৰকাশিত হ'বলৈ,
আমি যীচুৰ কাৰণে সদায় মৃত্যুৰ হাতত সমৰ্পিত হৈছোঁ। ১২ এইদৰে
মৃত্যুৱে আমাৰ জীৱনত, কিন্তু জীৱনে আপোনালোকত নিজ কাৰ্য
সাধন কৰিছে। ১৩ কিন্তু যেনেকৈ লিখা আছে, বোলে "মই বিশ্বাস
কৰিলোঁ, এই হেতুকে কথা ক'লোঁ"; তেনেকৈ আমিও সেই একেই
বিশ্বাসজনক আত্মা পোৱাত, বিশ্বাস কৰিছোঁ, এই হেতুকে কথা কৈছোঁ৷
১৪ কাৰণ যি জনে প্ৰভু যীচুক তুলিলে তেৱেঁই যে যীচুৰ লগত আমাকো
তুলিব আৰু তেওঁলোকে সৈতে আমাকো উপস্থিত কৰিব, সেই বিষয়ে
আমি জানো। ১৫ কিয়নো এইবোৰ আপোনালোকৰ কাৰণেহে হৈছে,
যাতে অনেক লোকে ঈশ্বৰৰ মহিমাৰ অৰ্থে অনুগ্ৰহ পায় ধন্যবাদত
উপচি পৰে। ১৬ এই কাৰণে আমি নিৰুৎসাহ নহওঁ; যদিও আমাৰ
বাহ্যিক পুৰুষ বিনষ্ট হৈ আছে, তথাপি আমাৰ আন্তৰিক পুৰুষ দিনে
দিনে নতুন হৈ উঠিছে। ১৭ আমাৰ এই দুখ-কষ্ট ক্ষন্তেকীয়া, এই
ক্ষন্তেকীয়া লঘু ক্লেশে আমাৰ জীৱনলৈ আনিবলগীয়া শ্ৰেষ্ঠ শাশ্বত
মহিমাৰ যি অনন্তকলীয়া প্ৰভাৱ, তাৰ লগত আমাৰ দুখ-কষ্টৰ কোনো
তুলনাই নহয়। **(aiōnios g166)** ১৮ এই কাৰণে দৃশ্য বস্তুলৈ নাচাই,
অদৃশ্য বস্তুলৈ চাই থাকোঁহক৷ কাৰণ দৃশ্য বস্তু অলপদিনীয়া; কিন্তু
অদৃশ্য বস্তু অনন্তকলীয়া। **(aiōnios g166)**

৫ কিয়নো আমি জানো যে, যি তম্বুৰূপ পাৰ্থিৱ ঘৰত আমি আছোঁ,
সেয়া যদি ভগ্ন হয়, তেনেহলে বিনাহাতে সজা ঈশ্বৰে থাকিবলৈ দিয়া
এক অনন্তকলীয়া ঘৰ স্বৰ্গত আছে। (aiōnios g166) ২ কাৰণ আমি
ইয়াৰ ভিতৰত কেঁকাই থাকি, স্বৰ্গৰ পৰা হোৱা আমাৰ সেই ঘৰৰূপ
বস্ত্ৰেৰে ঢকা হ'বলৈ অতিশয় হাবিয়াহ কৰিছোঁ। ৩ বাস্তৱিকতে তাৰে
ঢকা হ'লে, আমি উলঙ্গ হৈ নপৰিম। ৪ আমি যে কেঁকাই আছোঁ,
এই তম্বুত থাকি, ভাৰগ্ৰস্তহৈহে কেঁকাই আছোঁ; কাৰণ আমি বিবস্ত্ৰ
হ'বলৈ ইচ্ছা নকৰোঁ; কিন্তু জীৱনৰ দ্বাৰাই যেন মৰ্ত্ত্যক গিলি পেলোৱা
হয়, এই কাৰণে বস্ত্ৰেৰে ঢকা হ'বলৈহে ইচ্ছা কৰোঁ। ৫ ইয়াৰ বাবে
যি জনে আমাক প্ৰস্তুত কৰিলে, তেওঁ ঈশ্বৰ; আৰু তেৱেঁই আমাক
বইনাস্বৰূপে পবিত্ৰ আত্মা দিলে। ৬ এতেকে সদায় দৃঢ় বিশ্বাসী হোৱা
কাৰণে জানিব যে, এই শৰীৰত নিবাস কৰালৈকে প্ৰভুৰ পৰা দূৰত
প্ৰবাস কৰিছোঁ; ৭ (কিয়নো আমি দেখাৰ দ্বাৰাই চলা নাই, বিশ্বাসৰ
দ্বাৰাইহে চলিছোঁ; ) ৮ এতেকে আমি সাহিয়াল হৈছোঁৱেই; শৰীৰৰ
পৰা দূৰত প্ৰবাস আৰু প্ৰভুৰ লগত নিবাস কৰাই ভাল দেখিছোঁ। ৯
এই হেতুকে নিবাস কৰোঁ বা প্ৰবাস কৰোঁ, তেওঁৰ প্ৰিয়পাত্ৰ হবলৈহে
আমি যত্ন কৰি আছোঁ। ১০ কিয়নো প্ৰতিজনে কৰা কৰ্ম ভাল হওক বা
বেয়া হওক, শৰীৰৰ দ্বাৰাই কৰা কৰ্মৰ ফল পাবলৈ, আমি সকলোৱে
খ্ৰীষ্টৰ বিচাৰৰ আসনৰ আগত প্ৰকাশিত হ'ব লাগিব। ১১ এই কাৰণে
প্ৰভুৰ ভয় কি, ইয়াক জানিবলৈ পোৱাত আমি লোক সকলক প্ৰবৃত্তি
কৰাইছোঁ; কিন্তু ঈশ্বৰৰ আগত আমি প্ৰকাশিত হৈ আছোঁ আৰু মই
আশা কৰোঁ যে, আপোনালোকৰ বিবেকতো আমি প্ৰকাশিত হৈ আছোঁ৷
১২ আপোনালোকলৈ আমি আকৌ আমাৰ প্ৰশংসা আগবঢ়াইছোঁ, এনে
নহয়, কিন্তু যি সকলে হৃদয়ৰ কথাত নহয়, মৌখিক কথাত গৌৰৱ
কৰে, তেওঁলোকৰ আগত আপোনালোকে আমাৰ অৰ্থে গৌৰৱ কৰি
উত্তৰ দিবলৈহে আপোনালোকক উপায় দিছোঁ। ১৩ কিয়নো আমি যদি
হতবুদ্ধি হৈছোঁ, তেনেহলে ঈশ্বৰৰ কাৰণেহে হৈছোঁ। ১৪ কাৰণ খ্ৰীষ্টৰ
প্ৰেমে আমাক সীমাবদ্ধ কৰি ৰাখিছে; কিয়নো আমি নিশ্চয় কৰিলোঁ যে,
সকলোৰে কাৰণে এজন মৰিল, এতেকে সকলোৱে মৰিল৷ ১৫ আৰু

খ্ৰীষ্টে সকলোৰে বাবে মৰিল, এই আশয়েৰে জীৱন পোৱা সকলে যেন
নিজৰ কাৰণে জীয়াই নাথাকি, তেওঁলোকৰ অৰ্থে মৃত্যুভোগ কৰা আৰু
পুনৰুত্থিত হোৱা জনৰ বাবেহে যেন জীয়াই থাকে। ১৬ এই কাৰণে
এতিয়াৰে পৰা কোনো এজনকে আমি মাংস অনুসাৰে নাজানিম;
একেদৰে খ্ৰীষ্টক আগেয়ে মাংস অনুসাৰে জানিলেও, এতিয়াৰ পৰা
নাজানিম। ১৭ এতেকে কোনো যদি খ্ৰীষ্টত আছে, তেনেহলে তেওঁ
নতুন সৃষ্টি। পুৰণিবোৰ লুপ্ত হ'ল; চাওক, নতুন হ'ল। ১৮ কিন্তু যি ঈশ্বৰে
খ্ৰীষ্টৰ দ্বাৰাই তেওঁৰে সৈতে আমাক মিলন কৰালে আৰু সেই মিলনৰ
পৰিচৰ্যা পদ আমাক দিলে; সেই ঈশ্বৰৰ পৰাই এই সকলো হয়। ১৯
সেই মিলনৰ কথা এই, ঈশ্বৰে খ্ৰীষ্টত জগত খনক মিলন কৰিলে,
তেওঁলোকৰ পাপময় বাধাবোৰ গণনা নকৰিলে; আৰু সেই মিলনৰ
বাৰ্তা আমাক গতাই দিলে। ২০ এতেকে ঈশ্বৰে আমাক ৰাজদূত পাতি,
আমাৰ দ্বাৰাই মিনতি কৰোঁৱাৰ দৰে আমি খ্ৰীষ্টৰ কাৰণে ৰাজদূতৰ
কৰ্ম কৰিছোঁ৷ খ্ৰীষ্টৰ হৈ এই বিনয় কৰোঁ: "আপোনালোকে ঈশ্বৰৰ
সৈতে মিলন হওক!" ২১ তেওঁ আমাক খ্ৰীষ্টত ঈশ্বৰীয় ধাৰ্মিকতা স্বৰূপ
হ'বলৈ, পাপ নকৰা জনকে পাপী কৰি, তেওঁকে আমাৰ পাপৰ বাবে
ক্ৰুচত বলি স্বৰূপে উৎসৰ্গ কৰিলে।

**৬** আৰু সেয়ে, আমি খ্ৰীষ্টৰ সহকাৰী হৈ, এই মিনতিও কৰিছোঁ যে,
আপোনালোকে ঈশ্বৰৰ অনুগ্ৰহ ব্যৰ্থৰূপে গ্ৰহণ কৰা নহ'ব৷ ২ কিয়নো
তেওঁ কৈছে, "মই গ্ৰাহ্য-কালত তোমাৰ প্ৰাৰ্থনা শুনিলো; আৰু পৰিত্ৰাণৰ
দিনা তোমাৰ উপকাৰ কৰিলোঁ।" চাওক, এতিয়া পৰমগ্ৰাহ্য কাল;
এতিয়াই পৰিত্ৰাণৰ দিন৷ ৩ সেই পৰিচৰ্যা পদ যেন কলঙ্কিত নহয়,
এই কাৰণে আমি কোনো কথাত বিঘিনি নজন্মাও। ৪ বৰং, আমি
নিজক ঈশ্বৰৰ পৰিচাৰক হিচাপে, আমাৰ এই সকলো কৰ্মৰ দ্বাৰাই
যোগ্য-পাত্ৰ দেখুৱাইছোঁ; সেয়েহে অনেক প্ৰকাৰ ধৈৰ্য, ক্লেশ, দুখ,
সঙ্কট, ৫ কোব, বন্দীশালত থকা, হুৰামুৰা, পৰিশ্ৰম, পৰ দিয়া, লঘোন,
৬ শুদ্ধতা, জ্ঞান, চিৰসহিষ্ণুতা, মৰম, পবিত্ৰ আত্মাত, অকপট প্ৰেম
অৰ্থাৎ স্নেহ; ৭ সত্যৰ বাক্যত, ঈশ্বৰৰ শক্তিত, সোঁ আৰু বাওঁফালে
ধাৰ্মিকতাৰ অস্ত্ৰ-শস্ত্ৰৰ সৈতে, যোগ্য-পাত্ৰ দেখুৱাইছোঁ। ৮ আমি

মৰ্যদা আৰু অমৰ্য্যাদা, কু-যশ আৰু সু-যশ, প্ৰবঞ্চকৰ নিচিনা, কিন্তু
সত্যবাদী; ৯ অবিদিতৰ নিচিনা, কিন্তু সুবিদিত; মৰো মৰো হোৱাৰ
নিচিনা, কিন্তু চাওক জীয়াই আছোঁ; শাস্তি পোৱাৰ নিচিনা, কিন্তু হত
হোৱা নাই৷ ১০ শোক কৰাৰ নিচিনা, কিন্তু সদায় আনন্দিত; দৰিদ্ৰৰ
নিচিনা, কিন্তু অনেকক ধনৱন্ত কৰোঁতা; একো নথকাৰ নিচিনা, কিন্তু
আমাৰ সকলো আছে। ১১ কৰিন্থীয়া সকল, আমি আপোনালোকৰ
বাবে, আমাৰ সকলো সত্যতাৰ বিষয়ে ক'লো আৰু আমাৰ হৃদয়ো
বহল। ১২ আপোনালোকৰ হৃদয় আমাৰ জীৱনত সঙ্কুচিত হোৱা নাই,
কিন্তু নিজ নিজ অন্তৰতহে সঙ্কুচিত হৈ আছে৷ ১৩ কিন্তু একে প্ৰকাৰৰ
প্ৰতিদান কৰিবলৈ, সান্ত্বনাত থকা সকলক কোৱাৰ দৰে কৈছোঁ,
আপোনালোকৰ হৃদয় বহলভাৱে মুকলি কৰক। ১৪ অবিশ্বাসী সকলৰ
সৈতে আপোনালোক অসমানভাবে সংযুক্ত নহব; কিয়নো ধাৰ্মিকতা
আৰু অধৰ্মৰ মাজত পৰস্পৰৰ কি সম্পৰ্ক? আন্ধাৰে সৈতে পোহৰৰ বা
কি সহভাগিতা? ১৫ বেলিয়ালে সৈতে খ্ৰীষ্টৰ কি মিলন? অবিশ্বাসী
জনৰ লগত বিশ্বাস কৰা জনৰ কি সম্পৰ্ক? ১৬ আৰু মূৰ্তিবোৰৰ সৈতে
ঈশ্বৰৰ মন্দিৰৰ কি বিধান আছে? কিয়নো আমি জীৱনময় ঈশ্বৰৰ
মন্দিৰ; এই বিষয়ে ঈশ্বৰে কৈছে, বোলে, "মই তেওঁলোকৰ মাজত
বসতি কৰি থাকিম আৰু অহা-যোৱা কৰিম; মই তেওঁলোকৰ ঈশ্বৰ
হ'ম আৰু তেওঁলোক মোৰ লোক হ'ব।" ১৭ এতেকে, প্ৰভুৱে কৈছে,
"তোমালোকে সিহঁতৰ মাজৰ পৰা ওলাই আহা আৰু পৃথক হোৱা, আৰু
কোনো অশুচি বস্তুক নুচুবা, তাতে মই তোমালোকক গ্ৰহণ কৰিম, ১৮
আৰু তোমালোকৰ পিতৃ হ'ম আৰু তোমালোকো মোৰ পো-জী হ'বা,
ইয়াক সৰ্বশক্তিমান প্ৰভুৱে কৈছে"।

**৭** এই হেতুকে, হে প্ৰিয় ভাই আৰু ভনী সকল, এইবোৰ প্ৰতিজ্ঞা
পোৱাত, আহক, আমি শৰীৰ আৰু আত্মাৰ সকলো অশুচিতাৰ
পৰা নিজকে শুচি কৰি, ঈশ্বৰৰ ভয়ত পবিত্ৰতা সিদ্ধ কৰোঁহক। ২
আপোনালোকৰ হৃদয়ত আমাক ঠাই দিয়ক! আমি কাৰো অন্যায়
কৰা নাই, কাৰো অনিষ্ট কৰা নাই, কাকো ঠগোৱাও নাই। ৩ মই
আপোনালোকৰ দোষ ধৰিবলৈ এই কথা কৈছোঁ, এনে নহয়; কিয়নো

আমাৰে সৈতে মৰিবলৈ আৰু জীয়াই থাকিবলৈকো আপোনালোক
আমাৰ হৃদয়ত আছে বুলি আগেয়ে কৈছিলোঁ। ৪ আপোনালোকলৈ
মোৰ আত্মবিশ্বাস অধিক, আপোনালোকৰ অৰ্থে মোৰ শ্লাঘাও অধিক;
এইদৰে আমাৰ সকলো ক্লেশত, মই সান্ত্বনাৰে পুৰ্ণ হৈ আছোঁ আৰু
আনন্দত একেবাৰে উপচি পৰিছোঁ। ৫ কিয়নো যেতিয়া আমি
মাকিদনিয়া দেশলৈ আহিলোঁ, আমাৰ শাৰীৰিক একো জিৰণি নাছিল;
বৰং সকলোতে অশান্তিহে পাইছিলোঁ; বাহিৰত বিৰোধ আৰু অন্তৰত ভয়
আছিল। ৬ কিন্তু নম্ৰ সকলৰ সান্ত্বনাদাতা ঈশ্বৰে তীতৰ আগমণৰ দ্বাৰাই
আমাক সান্ত্বনা দিলে; ৭ কেৱল তেওঁৰ আগমণৰ দ্বাৰায়েই নহয়, কিন্তু
আপোনালোকৰ হাবিয়াহ, শোক আৰু আমাৰ কাৰণে আপোনালোকৰ
উৎসাহৰ কথা কওঁতে, আপোনালোকৰ কথাত তেওঁ পোৱা শান্ত্বনাৰেও
আমাক এনে সান্ত্বনা দিলে যে, তাৰেই মই অধিক আনন্দ পালোঁ।
৮ কিয়নো মোৰ সেই পত্ৰৰ দ্বাৰাই আপোনালোক দুঃখিত হ'লেও
মই বেজাৰ নকৰোঁ৷ আগেয়ে যদিওঁবা বেজাৰ কৰিছিলোঁ, এতিয়া
দেখিলোঁ যে মোৰ পত্ৰখনে আপোনালোকক দুঃখিত কৰিলে, কিন্তু
সেই পত্ৰই মাথোন অলপ সময়হে আপোনালোকৰ দুখ জন্মাইছিল,
৯ এতিয়া আনন্দ কৰিছোঁ; কিয়নো আপোনালোক দুঃখিত হোৱাৰ
কাৰণে নহয়, কিন্তু দুঃখিত হোৱাৰ দ্বাৰাই যে আপোনালোকৰ মন
পৰিৱৰ্তিত হ'ল, সেই কাৰণেহে৷ আমাৰ দ্বাৰাই আপোনালোকৰ একো
হানি নহয়, সেই বাবে আপোনালোক ঈশ্বৰৰ ইচ্ছাৰ দৰে দুঃখিত
হৈছিল, সেই বিষয়ে আপোনালোকে জানিছিলোঁ। ১০ কাৰণ ঈশ্বৰৰ
ইচ্ছাৰ দৰে হোৱা মনোদুখে, অনুতপ্ত নোহোৱাকৈয়ে পৰিত্ৰাণলৈ মন-
পালটন কৰায়; কিন্তু সাংসাৰিক মনোদুখে অপৰিৱৰ্তনীয় মৃত্যু সাধন
কৰে। ১১ কিয়নো, ঈশ্বৰৰ মহৎ ইচ্ছাৰ দৰে হোৱা সেই মনোদুখেই
আপোনালোকৰ অন্তৰত কেনে যত্ন, কেনে দুখৰ খণ্ডন, কেনে বিৰক্তি,
কেনে ভয়, কেনে হাবিয়াহ, কেনে উৎসাহ, কেনে প্ৰতিকাৰ সাধন
কৰিলে! সেইবোৰ কথাত আপোনালোকে সকলো প্ৰকাৰে নিজকে
নিৰ্দোষী বুলি প্ৰমাণ কৰিলে। ১২ যদিওঁবা মই আপোনালোকলৈ
লিখিছিলো, তথাপি অন্যায় কৰা জনৰ কাৰণে বা অপকাৰ পোৱা

জনৰ কাৰণে নহয়, কিন্তু আমাৰ অৰ্থে আপোনালোকৰ যি যত্ন, সেয়ে
ঈশ্বৰৰ দৃষ্টিত আপোনালোকৰ বাবে যেন প্ৰকাশিত হয়, এই কাৰণেহে
লিখিছিলোঁ। ১৩ এতেকে আমি সান্ত্বনা পালোঁ। আৰু আমাৰ সেই
সান্ত্বনাৰ ওপৰিও তীতৰ আনন্দত আমি আৰু অধিক আনন্দ পালোঁ;
কাৰণ আপোনালোক সকলোৰে দ্বাৰাই তেওঁৰ আত্মা সজীৱ কৰা
হ'ল। ১৪ যদিও মই তেওঁৰ আগত আপোনালোকৰ অৰ্থে গৌৰৱ
কৰিলোঁ, তথাপি মোক লাজত পেলোৱা হোৱা নাই; কিন্তু যেনেকৈ আমি
আপোনালোকৰ আগত সকলো কথা সঁচাকৈ কলোঁ, তেনেকৈ তীতৰ
আগত কৰা আমাৰ সেই গৌৰৱ সঁচাহে হ'ল। ১৫ আৰু আপোনালোকে
তেওঁৰ আজ্ঞাধীন হৈ, ভয় আৰু কম্পনেৰে যে তেওঁক গ্ৰহন কৰিছিল,
সেই কথা তেওঁ সোঁৱৰণ কৰোঁতে, আপোনালোকলৈ তেওঁৰ স্নেহ অতি
অধিক হ'ল। ১৬ সকলো বিষয়তে মই যে আপোনালোকত ভাৰসা
কৰিছোঁ, ইয়াতে মই আনন্দ কৰিছোঁ।

৮ হে প্ৰিয় ভাই আৰু ভনী সকল, মাকিদনিয়া দেশৰ মণ্ডলী সমূহক দিয়া
ঈশ্বৰৰ অনুগ্ৰহৰ বিষয়ে মই আপোনালোকক জনাওঁ যে, ২ ক্লেশৰূপ
মহা-পৰীক্ষাতো তেওঁলোকৰ আনন্দ অধিক হ'ল আৰু তেওঁলোকৰ
অতি দৰিদ্ৰতা দানশীলতাৰূপ ধনত উপচি পৰিল। ৩ কিয়নো মই
সাক্ষ্য দিছোঁ যে, তেওঁলোকে নিজ শক্তি অনুসাৰে দিয়াৰ উপৰি,
সাধ্যৰ অতিৰিক্ত পৰিমাণে দিলে, আৰু ৪ নিজ ইচ্ছাৰে অনেক মিনতি
কৰি, পবিত্ৰ লোক সকলৰ সহভাগিতাত পৰিচৰ্যা কাৰ্যৰ সহভাগী
হবলৈ আমাৰ আগত যাচনা কৰিলে; ৫ আৰু কেৱল আমি আশা কৰা
অনুযায়ী নহয়, কিন্তু প্ৰথমে প্ৰভুৰ উদ্দেশ্যে, শেষত ঈশ্বৰৰ ইচ্ছাৰ দৰে
আমাৰ উদ্দেশ্যে তেওঁলোকে দান কৰিলে। ৬ সেই বাবে আমি তীতক
উৎসাহিত কৰিলোঁ, কিয়নো যেনেকৈ তেওঁ আগেয়ে আপোনালোকৰ
লগত কাৰ্য আৰম্ভ কৰিছিল, তেনেদৰেই আপোনালোকক সেই
অনুগ্ৰহতো যেন পৰিপূৰ্ণ কৰে৷ ৭ কিন্তু আপোনালোকে, বিশ্বাস, বাক্য,
জ্ঞান, সকলোবিধ যত্ন আৰু প্ৰেম, এই সকলোতে যেনেকৈ আমাৰ
বাবে উপচি পৰিছে, তেনেকৈ সেই অনুগ্ৰহতো উপচি পৰিবলৈ চেষ্টা
কৰক। ৮ এই কথা আজ্ঞা দিয়াৰ দৰে কোৱা নাই, কিন্তু আন ব্যক্তিৰ

যত্নৰ দ্বাৰাই আপোনালোকৰ প্ৰেমৰ সত্যতা বিবেচনা কৰিহে কৈছোঁ।
৯ কিয়নো আপোনালোকে প্ৰভু যীচু খ্ৰীষ্টৰ অনুগ্ৰহ জানে৷ তেওঁ ধনী
আছিল যদিও, তেওঁৰ দৰিদ্ৰতাৰ দ্বাৰাই আপোনালোক যেন ধনী হয়,
তাৰ বাবে তেওঁ দৰিদ্ৰ হ'ল৷ ১০ এই বিষয়টো আপোনালোকৰ পক্ষে
উপযুক্ত, সেই কাৰণে মই পৰামৰ্শহে দিছোঁ; কিয়নো আপোনালোকে
এবছৰৰ আগেয়ে কোনো কাৰ্য কৰিবলৈ বিচাৰিছিল, কেৱল সেয়াই
নহয়, কিন্তু নিজ ইচ্ছাৰে কৰিবলৈ প্ৰস্তুতো আছিল৷ ১১ এতিয়া সেই
কাৰ্য সিদ্ধ কৰক৷ যেনেকৈ ইচ্ছা আৰু প্ৰস্তুততা আছিল, তেনেকৈ শক্তি
অনুসাৰে সেই কাৰ্য সিদ্ধও কৰক৷ ১২ কিয়নো কাৰ্য কৰিবলৈ প্ৰস্তুততা
থাকিলে, শক্তি নথকাৰ দৰে নহয়, কিন্তু শক্তি থকাৰ দৰে কৰিলেহে
গ্ৰাহ্য হয়। ১৩ কিয়নো আন লোক সকলে কাৰ্য নকৰি জিৰণি ল'ব আৰু
আপোনালোকে কাৰ্যৰ দায়িত্ব ল'ব, এনে নহয়; কিন্তু সকলোৰে ন্যায়
হওক৷ ১৪ এই বৰ্ত্তমান সময়ত আপোনালোকৰ প্ৰাচুৰ্যতাই তেওঁলোকৰ
অভাৱ পূৰ্ণ কৰিব৷ এইদৰে তেওঁলোকৰ প্ৰাচুৰ্যতায়ো আপোনালোকৰ
অভাৱ পূৰ্ণ কৰিব আৰু ইয়াতে সকলোৰে বাবে সমতা স্থাপন হয়; ১৫
যি দৰে লিখাও আছে, “যি জনে অধিক গোটাইছিল, তেওঁৰ একো
নাথাকিল; কিন্তু যি জনে অলপ গোটাইছিল, তেওঁৰ অভাৱ নহ'ল”। ১৬
কিন্তু যি ঈশ্বৰে আপোনালোকৰ অৰ্থে তীতৰ হৃদয়ত সেই একে উৎসাহ
জন্মাইছে, তেওঁ ধন্য। ১৭ কিয়নো তেওঁ আমাৰ উদগণি গ্ৰহণ কৰিলে
কিন্তু তাতকৈয়ো নিজে উৎসাহী হৈ, নিজ ইচ্ছাৰে আপোনালোকৰ
ওচৰলৈ গ'ল। ১৮ তাতে তীতৰ সৈতে আমাৰ এজন ভাই, যি জনে
শুভবাৰ্তা ঘোষণা কৰা বিষয়ত সকলো মণ্ডলীৰ মাজত প্ৰশংসা লাভ
কৰিছে; সেই জন ভাইক আমি তেওঁৰ লগত পঠাই দিলোঁ৷ ১৯ তেওঁ
কেৱল মৰ্যদা পোৱা ব্যক্তিয়ে নহয়, কিন্তু প্ৰভুৰ গৌৰৱ আৰু আমাৰ
প্ৰস্তুততাৰ অৰ্থে, আমাৰ যোগেদি সাধিত হ'ব লগা প্ৰভুৰ অনুগ্ৰহৰ
কাৰ্যত আমাৰ সহযাত্ৰী হ'বলৈ মণ্ডলী সকলৰ দ্বাৰাই পৰিচাৰকৰূপে
মনোনীত হোৱা৷ ২০ আৰু আমাৰ দ্বাৰাই সাধিত হ'ব লগা এই মহা-
দানৰ বিষয়ে কোনেও যেন আমাৰ বদনাম নকৰে, তাৰ বাবে আমি
সতৰ্ক হৈছোঁ; ২১ কিয়নো কেৱল প্ৰভুৰ দৃষ্টিত নহয় কিন্তু মানুহৰ

আগতো যি যি উচিত, সেইটোহে আমি চিন্তা কৰিছোঁ। ২২ আৰু তেওঁৰ
সৈতে আন এজন ভাইক আমি পঠিয়ালোঁ৷ তেওঁক আমি অনেকবাৰ
অনেক বিষয়ত পৰীক্ষা কৰি এইবোৰ কাৰ্যত উৎসাহী পালোঁ আৰু
আপোনালোকৰ প্ৰতি থকা তেওঁৰ দৃঢ় বিশ্বাসৰ কাৰণে এইবাৰ অধিক
আগ্ৰহী দেখিলোঁ৷ ২৩ তীতৰ বিষয়ে হ'লে, তেওঁ মোৰ সহভাগী আৰু
আপোনালোকৰ প্ৰতি মোৰ পাঁচনি কৰ্মৰ সহকাৰী৷ আমাৰ ভাই দুজনৰ
বিষয়ে হ'লে, তেওঁলোক মণ্ডলী সমূহৰ দূত আৰু খ্ৰীষ্টৰ গৌৰৱ স্বৰূপ।
২৪ এতেকে আপোনালোকৰ প্ৰেম প্ৰকাশ কৰক আৰু আন মণ্ডলীবোৰৰ
মাজত আপোনালোকৰ বিষয়ে যি গৌৰৱ কৰিছিলোঁ, সেয়া প্ৰকাশ
কৰক৷

৯ কিয়নো পবিত্ৰ লোক সকলৰ পৰিচৰ্যা কৰা কাৰ্যৰ বিষয়ে মই
আপোনালোকলৈ লিখাৰ প্ৰয়োজন নাই৷ ২ মই আপোনালোকৰ কামনা
জানো, যাৰ বিষয়ে মই মাকিদনিয়া সকলৰ আগত আপোনালোকৰ
পক্ষে গৌৰৱ কৰিছিলোঁ৷ মই তেখেত সকলক কৈছিলোঁ যে, এবছৰৰ
আগৰ পৰাই আখায়া প্ৰস্তুত হৈ আছিল; আৰু আপোনালোকৰ সেই
আগ্ৰহে অধিক ভাগ মানুহক প্ৰভাৱত পেলালে। ৩ এতিয়া মই
আপোনালোকৰ ওচৰলৈ ভাই সকলক পঠালোঁ, যাতে আপোনালোকৰ
পক্ষে আমাৰ সেই গৌৰৱ যেন ব্যৰ্থ নহয় আৰু মই যেনেকৈ কৈছিলোঁ,
আপোনালোকে তেনেকৈ যেন প্ৰস্তুত হৈ থাকে৷ ৪ নহ'লে মাকিদনিয়াৰ
পৰা মোৰ লগত অহা কোনো মানুহে যদি আপোনালোকক অপ্ৰস্তুত
পায়, তেনেহলে আমি আপোনালোকৰ প্ৰতি সেই দৃঢ় আশা ৰখাত,
আমি লাজত পৰিম - মই আপোনালোকৰ বিষয়ে এনে একো কথা
নকওঁ, কাৰণ আপোনালোকৰ বিশ্বাসৰ ওপৰত মই নিশ্চিত হৈ আছোঁ৷
৫ সেই কাৰণে মই ভাই কেইজনক উৎসাহিত কৰিবলৈ প্ৰয়োজন
দেখি, আপোনালোকৰ ওচৰত পঠিয়াম বুলি ভাবিলোঁ; আপোনালোকে
যি পূৰ্বৰে পৰা প্ৰতিজ্ঞা কৰা সেই আশীৰ্বাদ স্বৰূপ দান, সেই বিষয়ে
তেখেত সকলে আপোনালোকৰ ওচৰলৈ আহি যেন আয়োজন কৰে৷
এই বিনামূলীয়া আশীৰ্বাদ দানৰ দৰে যেন যুগুত থাকে, কিন্তু
আপোনালোকে বাধ্যত পৰি দান কৰিলে, এনে যেন নহয়৷ ৬ কিন্তু সেই

বিষয়ে সাৰ কথা এই- যি জনে অলপকৈ বয়, তেওঁ অলপকৈ চপাব;
আৰু যি জনে অধিককৈ বয়, তেওঁ অধিককৈ চপাব। ৭ প্ৰতিজনে নিজৰ
হৃদয়ত যেনেকৈ ঠাৰৰ কৰিলে, তেনেকৈ দিয়ক৷ মনোদুখেৰে যেন
নহয় বা আৱশ্যকতাৰেও যেন নিদিয়ে- কিয়নো হৰ্ষিত মনেৰে দিয়া
জনক ঈশ্বৰে প্ৰেম কৰে। ৮ ঈশ্বৰে আপোনালোকক সকলো বিষয়তে
অনুগ্ৰহত বৃদ্ধি কৰিব পাৰে আৰু সকলো সময়তে আপোনালোকৰ
সকলো জোৰাওকৈ থকাত, আপোনালোক সকলো সৎকৰ্মত যেন
উপচি পৰিব পাৰে৷ ৯ এই বিষয়ে যি দৰে লিখাও আছে, “তেওঁ নিজ
ধন-সম্পত্তি দৰিদ্ৰ সকলক বিলাই দি, দান কৰিলে; তেওঁৰ ধাৰ্মিকতা
চিৰকাললৈকে থাকে৷” (aiōn g165) ১০ যি জনে কঠীয়া সিচোতাজনক
সিচিঁবলৈ কঠীয়া আৰু ভোজনৰ কাৰণে আহাৰ যোগাই, তেৱেঁই
আপোনালোকৰ কঠীয়া যোগাই বাহুল্য কৰিব আৰু আপোনালোকৰ
ধাৰ্মিকতাৰ ফল বৃদ্ধি কৰিব; ১১ এইদৰে আপোনালোক সকলো
দানশীলতাৰ অৰ্থে সকলো বিষয়তে ধনৱন্ত হব, আৰু সেই দানশীলতাই
আমাৰ দ্বাৰাই ঈশ্বৰলৈ ধন্যবাদ সাধন কৰাব। ১২ কিয়নো এই দান
দি পৰিচৰ্যা কৰা কাৰ্যই পবিত্ৰ লোকৰ অভাৱ পূৰ কৰিছে, অকল
এয়ে নহয়, কিন্তু ঈশ্বৰৰ অনেক ধন্যবাদত ঈশ্বৰৰ উদ্দেশ্যেও উপচি
পৰিছে৷ ১৩ আপোনালোকক এই পৰিচৰ্যা কৰা কাৰ্যত পৰীক্ষাৰ দ্বাৰাই
নিযুক্ত কৰা হ’ল; আপোনালোকে ঈশ্বৰক মহিমান্বিত কৰিছে, কিয়নো
আপোনালোকে খ্ৰীষ্টৰ শুভবাৰ্তাৰ বিষয়ে স্বীকাৰ কৰি বশৱৰ্ত্তী হোৱা
কাৰণে আৰু তেখেত সকললৈ আৰু আন লোকলৈও আপোনালোকে
ভালেমান দান কৰিলে৷ ১৪ তেওঁলোকে আপোনালোকলৈ অতিশয়
হাবিয়াহ কৰি আছে আৰু আপোনালোকৰ কাৰণে প্ৰাৰ্থনাত আছে,
কিয়নো ঈশ্বৰৰ সেই মহৎ অনুগ্ৰহ আপোনালোকৰ ওপৰত আছে৷ ১৫
ঈশ্বৰৰ বৰ্ণনাতীত দানৰ কাৰণে তেওঁৰ ধন্যবাদ হওক।

**১০** মই, যি পৌল, নিজে খ্ৰীষ্টৰ মৃদু আৰু কোমল স্বভাৱেৰে
আপোনালোকক মিনতি কৰিছোঁ - মই আপোনালোকৰ সাক্ষাতে নম্ৰ
কিন্তু অসাক্ষাতে আপোনালোকৰ প্ৰতি সাহিয়াল৷ ২ মই আপোনালোকক
মিনতি কৰিছোঁ যে, যেতিয়া মই আপোনালোকৰ সৈতে থাকো তেতিয়া

যেন মই আত্মবিশ্বাসৰ সাহসেৰে সাহসী নহওঁ; কিন্তু যেতিয়া আমাক
যি সকলে মাংস অনুসাৰে চলা বুলি জ্ঞান কৰিব, তেতিয়া সেই সকলৰ
বিৰুদ্ধে মই যেনে আৰশ্যকতা জ্ঞান কৰিছোঁ, উপস্থিত কালত তেনে
সাহসেৰে মই সাহিয়াল হম৷ ৩ কিয়নো আমি মাংসত থাকিলেও,
মাংস অনুসাৰে যুদ্ধ নকৰোঁ; ৪ কিয়নো আমাৰ যুদ্ধ অস্ত্ৰ-শস্ত্ৰৰে কৰা
মাংসিক যুদ্ধ নহয় কিন্তু স্বৰ্গীয় শক্তিৰ দ্বাৰাই দূৰ্গও বিনাশ কৰাৰ
যোগ্য, - ইয়াতে কোনো ভুল ধাৰণা নাথাকক৷ ৫ আমি মনৰ তৰ্ক-
বিতৰ্ক আৰু ঐশ্বৰীক জ্ঞানৰ বিৰুদ্ধে উত্থাপিত হোৱা উদ্ধত বিষয়বোৰ
ভাঙি পেলাই, সকলো ভাব বন্দী কৰি, খ্ৰীষ্টৰ আজ্ঞাধীন কৰিছোঁ; ৬
আৰু আপোনালোকৰ আজ্ঞাধীনতা সম্পূৰ্ণ হ'লে, সকলো অবাধ্যতাৰ
প্ৰতিকাৰ সাধিবলৈ যুগুত হৈ আছোঁ। ৭ সন্মুখত যি আছে, সেয়া
আপোনালোকে স্পষ্ট দৃষ্টিৰে চাওক৷ কোনোৱে যদি নিজকে খ্ৰীষ্টৰ
পাঁচনি বুলি নিজ প্ৰমাণত বিশ্বাস কৰে, তেনেহলে তেখেত যেনেকৈ
খ্ৰীষ্টৰ, আমিও তেনেকৈ বুলি তেখেতে নিজে পুনৰায় বিবেচনা কৰি
জানক। ৮ আমাৰ ক্ষমতাৰ বিষয়ে যদিও কিছু অধিক গৌৰৱ কৰোঁ,
যি ক্ষমতা প্ৰভুৱে আপোনালোকক বিনষ্ট কৰিবৰ কাৰণে নহয়, কিন্তু
আপোনালোক যেন ধৰ্মত বৃদ্ধি হয়৷ তথাপি সেই বিষয়ে মই লজ্জিত
নহ'ম৷ ৯ মোৰ পত্ৰবোৰৰ দ্বাৰাই যেন আপোনালোকক ভয় দেখুৱাবৰ
ধৰণে নহও; ১০ কিয়নো কিছুমান ব্যক্তিয়ে কয়, "তেখেতৰ পত্ৰবোৰ
গুৰুত্বপূৰ্ণ আৰু শক্তিযুক্ত, কিন্তু শাৰীৰিকভাৱে তেখেত দূৰ্বল আৰু
তেখেতৰ বাক্য শুনা অযোগ্য৷" ১১ আমি অনুপস্থিত থকা সময়ত
পত্ৰৰ দ্বাৰাই বিষয়বোৰ যেনেদৰে লিখিছোঁ, উপস্থিত হ'লে আমি
কাৰ্যতো তেনেকুৱাই বুলি, সেই মানুহবোৰে বিবেচনা কৰি জানক।
১২ কিয়নো নিজকে নিজে প্ৰশংসা কৰা লোক সকলৰ লগত আমি
নিজক গণনা বা তুলনা কৰিবলৈ সাহস নকৰোঁ; কিয়নো যেতিয়া
তেওঁলোকে ইজনে সিজনক জোখে আৰু নিজকে আন এজনৰ লগত
তুলনা কৰে, তেতিয়া তেওঁলোকে যেন নিজকে সুক্ষ্মদৃষ্টি কৰে৷ ১৩
কিন্তু আমি হ'লে অপৰিমিত ৰূপে গৌৰৱ নকৰি, ঈশ্বৰে যিহৰ দ্বাৰাই
আমাৰ অংশৰ পৰিমাণ নিৰূপণ কৰি, আপোনালোকৰ ওচৰলৈকে

পোৱা কৰিলে, আমি সেই পৰিমাণ অনুসাৰে গৌৰৱ কৰিম। ১৪
কিয়নো আপোনালোকৰ সেই খিনিলৈকে আমাৰ স্বত্ব নথকাৰ দৰে,
আমি নিজক ডাঙৰ কৰা নাই; কিন্তু খ্ৰীষ্টৰ শুভবাৰ্তা প্ৰচাৰ কৰোঁতে
কৰোঁতে, আমি আপোনালোকৰ ওচৰ গৈ পাইছিলো৷ ১৫ আমি যে
অপৰিমিত ৰূপে আনৰ পৰিশ্ৰমৰ কথাত গৌৰৱ কৰিছোঁ, এনে নহয়;
কিন্তু আশা কৰোঁ, লোকৰ বিশ্বাস বাঢ়িলে, আমাৰ পৰিমাণ-জৰী
অনুসাৰে আপোনালোকৰ মাজত বাহুল্যৰূপে যেন বৃদ্ধি হ'ম৷ ১৬
আমি আপোনালোকৰ সিমূৰে থকা অঞ্চলতো শুভবাৰ্তাৰ প্ৰচাৰ কৰিব
পাৰিম৷ আমি আন লোকৰ অঞ্চলত কৰা কামৰ গৌৰৱ নকৰিম৷ ১৭
"কিন্তু যি জনে গৌৰৱ কৰে, তেওঁ প্ৰভুতেই গৌৰৱ কৰক"। ১৮ কিয়নো
যি জনে নিজকে নিজে যোগ্য-পাত্ৰ দেখুৱাই, তেখেত পৰীক্ষাসিদ্ধ নহয়;
কিন্তু যি জনক প্ৰভুৱে যোগ্য-পাত্ৰ জ্ঞান কৰে, তেখেতহে পৰীক্ষাসিদ্ধ।
**১১** মই বিচাৰো যেন আপোনালোকে মোৰ যৎকিঞ্চিত অজ্ঞানতাৰ
প্ৰতি সহন কৰে, প্ৰকৃততে আপোনালোকে মোৰ প্ৰতি সহন কৰি আছে।
২ কিয়নো মই আপোনালোকক ঐশ্বৰিক অন্তৰ্জ্বালাৰে ঈৰ্ষা কৰোঁ;
কাৰণ খ্ৰীষ্টৰ হাতত নিৰ্দোষী কন্যা স্বৰূপে সমৰ্পণ কৰিবৰ হাবিয়াহেৰে,
আপোনালোকক একমাত্ৰ স্বামীলৈ, অৰ্থাৎ খ্ৰীষ্টলৈ বাগদান কৰিলোঁ।
৩ কিন্তু মই ভয় কৰোঁ, যেনেকৈ সেই সৰ্পই তাৰ ধূৰ্ত্ততাৰে হাৱাক
ভুলাইছিল, তেনেদৰে খ্ৰীষ্টলৈ আপোনালোকৰ যি সৰল আৰু শুদ্ধ ভাব
আছে, সেই ভাব যেন কোনো প্ৰকাৰে কিজানি বিপথে লৈ যায়৷ ৪
কিয়নো যি জন যীচুৰ কথা আমি ঘোষণা কৰোঁ, এনে আন কোনো
যীচুৰ কথা কোনোৱে যদি আহি ঘোষণা কৰে বা আপোনালোকে যি
আত্মা পোৱা নাই এনে অন্যবিধ আত্মাও যদি পোৱা নাইবা যি শুভবাৰ্তা
আপোনালোকে গ্ৰহণ কৰা নাই, এনে অন্যবিধ শুভবাৰ্তাও যদি গ্ৰহণ
কৰে, তেনেহলে আপোনালোকে সেয়া ভালকৈ সহন কৰক৷ ৫ কাৰণ
মোৰ মতে, সেই অতি প্ৰধান পাঁচনি সকলতকৈ মই অলপো নিকৃষ্ট
নহয়। ৬ কিন্তু যদিও মই বক্তৃতাত সামান্য হওঁ, মই জ্ঞানত সামান্য
নহওঁ; সকলো ধৰণে আৰু সকলো বিষয়তে আমি আপোনালোকক
সেই বিষয়ে প্ৰকাশ কৰিলোঁ। ৭ আপোনালোক বৰ হ'বলৈ, মই

নিজকে সৰু কৰি বিনামূল্যে ঈশ্বৰৰ শুভবাৰ্তা আপোনালোকৰ আগত
প্ৰচাৰ কৰোঁতে, মই পাপ কৰিলোঁ নে? ৮ মই আন মণ্ডলী সমূহৰ
ধন অপহৰণ কৰিলোঁ আৰু তেওঁলোকৰ সাহায্য গ্ৰহণ কৰিলোঁ, যাতে
ইয়াৰ যোগেদি মই আপোনালোকৰ পৰিচৰ্যা কৰিব পাৰোঁ৷ ৯ আৰু
আপোনালোকৰ লগত থাকোঁতে, যেতিয়া মোৰ নাটনি হৈছিল, তেতিয়া
মই আপোনালোকৰ কোনো এজনৰে ওপৰত ভাৰ নিদিলোঁ; কিয়নো
ভাই সকলে মাকিদনিয়াৰ পৰা আহি মোৰ অভাৱৰ সময়ত সহায়
কৰিলে; আৰু কোনো বিষয়তে আপোনালোকৰ ওপৰত ভাৰ নিদিয়াকৈ
মই নিজকে ৰাখিলোঁ; আৰু মই নিজকে এনেদৰেই ৰাখিম। ১০ খ্ৰীষ্টৰ
সত্যতা যেনেকৈ মোৰ লগত বাস কৰি আছে, তেনেদৰে মোৰ এই
গৌৰৱ আখায়াৰ সকলো অঞ্চলত বন্ধ কৰা নহব। ১১ আৰু কিয়?
মই আপোনালোকক প্ৰেম নকৰাৰ কাৰণে নে? ঈশ্বৰে জানে, মই যে
আচলতে প্ৰেম কৰোঁ৷ ১২ কিন্তু মই এতিয়া যি কৰি আছোঁ, ভৱিষ্যতেও
ইয়াকে কৰি থাকিম; যাতে ছিদ্ৰ বিচৰা লোক সকলে যি বিষয়ত শ্লাঘা
কৰে, সেই বিষয়ত যেন তেওঁলোক আমাৰ নিচিনা হব পৰে, আৰু
আমি যেন তেওঁলোকৰ সেই ছিদ্ৰ পাবৰ উপায় খণ্ডন কৰিব পাৰোঁ।
১৩ কিয়নো তেনেকুৱা মানুহ ভাঁৰিকোৱা পাঁচনি, প্ৰবঞ্চক কাৰ্যকাৰী;
তেওঁলোক খ্ৰীষ্টৰ পাঁচনিৰ বেশ ধৰা মানুহ। ১৪ এই কথা আচৰিত
নহয়, কিয়নো চয়তানে নিজেও দীপ্তিময় দূতৰ বেশ ধৰে। ১৫ এতেকে
তাৰ দাস সকলেও ধাৰ্মিক দাস সকলৰ বেশ ধৰাটো বৰ মহৎ বিষয়
নহয়; কিন্তু তেওঁলোকৰ শেষ, তেওঁলোকৰ নিজ কৰ্মৰ দ্বাৰাই হব৷
১৬ মই আকৌ কৈছোঁ, আপোনালোকৰ কোনেও মোক অজ্ঞান বুলি
নাভাবিব; কিন্তু যদিও ভাবে, তাৰ বাবে মোক অজ্ঞানৰ দৰেই গ্ৰহণ
কৰিব যাতে মই যৎকিঞ্চিৎ শ্লাঘা কৰিব পাৰোঁ৷ ১৭ মই যি দৰে
এই আত্মবিশ্বাসী গৌৰৱৰ কথা কৈছোঁ, তেনেদৰে প্ৰভুৱে উদগণি
নিদিয়ে কিন্তু মই নিশ্চিত জ্ঞানেৰে কৈছোঁ। ১৮ কিয়নো অনেকে মাংস
অনুসাৰে গৌৰৱ কৰে সেই বাবে ময়ো গৌৰৱ কৰিম। ১৯ কিয়নো
আপোনালোকে জ্ঞানৱন্ত হৈ আনন্দেৰেহে অজ্ঞানবোৰক সহন কৰে।
২০ কাৰণ কোনোৱে যদি আপোনালোকক দাস কৰে, কোনোৱে যদি

আপোনালোকৰ মাজত মতভেদ জন্মাই, কোনোৱে যদি আপোনাৰ
পৰা লাভ বিচাৰে, কোনোৱে যদি আপোনালোকক চৰ মাৰে, তথাপি
আপোনালোকে সহন কৰে। ২১ হয়, আমি এক প্ৰকাৰ দূৰ্বলীয়েই
আছিলোঁ, ইয়াক মই লাজ পাই স্বীকাৰ কৰিছোঁ। যেতিয়া যি কোনো
কথাত যদি কোনো ব্যক্তিয়ে গৌৰৱ কৰে, মই অজ্ঞানতাৰে কৈছোঁ,
তেনেহ'লে মইয়ো গৌৰৱ কৰিম। ২২ তেখেত সকল ইব্ৰী লোক নে?
মইয়ো হওঁ। তেখেত সকল ইস্ৰায়েলীয়া নে? মইয়ো হওঁ। তেখেত
সকল অব্ৰাহামৰ বংশ নে? মইয়ো হওঁ। ২৩ তেখেত সকল খ্ৰীষ্টৰ
দাস নে? হত বুদ্ধিৰ দৰে কৈছোঁ, মই তাতোকৈ অধিক; তাৰ প্ৰমাণ
অধিক পৰিশ্ৰমত, বন্দীশালৰ অধিক বন্ধনত, অতিৰিক্ত কোবত,
অনেকবাৰ প্ৰাণৰ সংশয়ত৷ ২৪ অৰ্থাৎ পাঁচ বাৰ ইহুদী সকলৰ হাতেৰে
“এক কম দুকুৰিকৈ” কোব খাইছিলোঁ৷ ২৫ তিনি বাৰ বেতৰ কোব
খাইছিলোঁ, এবাৰ শিলৰ দলি খাইছিলোঁ, তিনি বাৰ জাহাজ ভগাৰ দুখ
পালোঁ, অগাধ জলত এদিন এৰাতি থাকিলোঁ; ২৬ অনেক যাত্ৰাত,
নদীৰ সংকটত, ডকাইতৰ সংকটত, স্বজাতীয় সকলৰ পৰা হোৱা
সংকটত, অনা-ইহুদী সকলৰ পৰা হোৱা সঙ্কটত, নগৰত থাকি পোৱা
সঙ্কটত, মৰুভূমিত থাকি পোৱা সঙ্কটত, সাগৰত থাকি পোৱা সঙ্কটত,
ভাঁৰিকোৱা ভাই সকলৰ মাজত থাকি পোৱা সঙ্কটত৷ ২৭ পৰিশ্ৰম
আৰু দুৰ্ভোগত আৰু বহু ৰাতিৰ টোপনি-খতিত, লঘোনে থকাত আৰু
পিয়াহত আৰু একো খাদ্য নোহোৱাত, জাৰ পোৱাত আৰু উদঙে
থকাত, মই এই সকলো ভোগ কৰিছিলোঁ৷ ২৮ এইবোৰ বিষয় বাদ
দিলেও, বিশেষকৈ সকলো মণ্ডলীৰ চিন্তাই মোৰ দৈনিক ভাৰস্বৰূপ হৈ
আছে। ২৯ কাৰ দূৰ্ব্বলতাত মই দূৰ্বল হোৱা নাই? কোনে আন এজনক
পাপত পেলাই মোৰ অন্তৰত জ্বালা দিয়া নাই? ৩০ মই যদি গৌৰৱ
কৰিব লগা হয়, তেনেহলে মোৰ নানা দূৰ্ব্বলতাৰ বিষয়ে মই গৌৰৱ
কৰিম। ৩১ মই যে মিছা নকওঁ, সেই বিষয়ে প্ৰভু যীচুৰ পিতৃ ঈশ্বৰ, যি
জন চিৰকাল ধন্য, তেওঁ জানে। (aiōn g165) ৩২ দম্মেচকত আৰিতা
ৰজাৰ তলৰ অধিপতিয়ে মোক ধৰিবৰ আশয়েৰে দম্মেচকীয়া সকলৰ

নগৰ পহৰা দিয়াইছিল; ৩৩ কিন্তু খিড়িকিয়েদি পাচিৰে গড়েদি নমাই
দিয়াত, তেওঁৰ হাতৰ পৰা সাৰিলোঁ।

১২ মই গৌৰৱ কৰিব পাৰোঁ যদিও ই হিতজনক নহয়; কিন্তু নানা
দৰ্শন আৰু প্ৰভুৰ প্ৰকাশিত বিষয়ৰ কথা ক'ম। ২ খ্ৰীষ্টত আশ্ৰয় লোৱা
এনে এজন মানুহক মই জানো, যি জনে চৌদ্ধ বছৰৰ আগেয়ে,
শাৰীৰিক ৰূপে নে নিঃশৰীৰেৰে সেই বিষয়ে মই নাজানো, ঈশ্বৰেহে
জানে, - তেখেতক তৃতীয় স্বৰ্গলৈ নিয়া হৈছিল। ৩ আৰু এনে এজন
মানুহক মই জানো, সশৰীৰেৰে নে বিনাশৰীৰেৰে সেয়ে মই নাজানো,
ঈশ্বৰে জানে, - ৪ তেখেতক পৰমদেশলৈ নিয়া হৈছিল, তাতে তেওঁ
অনিৰ্ব্বচনীয় আৰু মানুহে ক'ব নোপোৱা কথা শুনিবলৈ পাইছিল।
৫ তেনেকুৱা জনৰ অৰ্থে মই গৌৰৱ কৰিম; কিন্তু নানা দূৰ্ব্বলতাৰ
বাহিৰে, মোৰ নিজৰ অৰ্থে আন একো কথাত গৌৰৱ নকৰোঁ। ৬
কাৰণ যদিও গৌৰৱ কৰিবলৈ ইচ্ছা কৰোঁ, তথাপি মই অজ্ঞান নহ'ম;
কিয়নো মই সঁচা ক'ম; আৰু গৌৰৱ কৰাৰ পৰা আতৰত থাকিম, যাতে
কোনেও মোক শ্ৰেষ্ঠ বুলি জ্ঞান নকৰে; কিন্তু মোক যি দৰে দেখে বা যি
দৰে মোৰ কথা শুনে, সেইদৰেহে মোক জ্ঞান কৰক৷ ৭ আৰু সেই
প্ৰকাশিত বিষয়ৰ অনুপমতাত মই যেন অতিশয় দৰ্প নকৰোঁ৷ সেই
কাৰণে মোৰ শৰীৰত এটা কাঁইট, অৰ্থাৎ, মোক ভূকুৱাবলৈ চয়তানৰ
এক দূত দিয়া হ'ল; যাতে মই অধিক গৰ্বিত হৈ নপৰোঁ৷ ৮ সি মোৰ
পৰা যেন দূৰ হয় সেই বিষয়ে মই প্ৰভুৰ আগত তিনি বাৰ নিবেদন
কৰিলোঁ। ৯ তাতে তেওঁ মোক ক'লে, 'মোৰ যি অনুগ্ৰহ, সেয়ে তোমাৰ
বাবে জুৰিব; কিয়নো দূৰ্ব্বলতাত মোৰ শক্তি সিদ্ধ হয়'; সেই বাবে মই
মহা-আনন্দেৰে মোৰ নানা দূৰ্ব্বলতাত গৌৰৱহে কৰিম, কিয়নো তাতে
খ্ৰীষ্টৰ শক্তি মোৰ ওপৰত বাস কৰে৷ ১০ এই হেতুকে খ্ৰীষ্টৰ কাৰণে
মই দূৰ্ব্বলতা, অপমান, দৰিদ্ৰতা, তাড়না, সঙ্কট, এইবোৰত সন্তুষ্ট
হওঁ; কিয়নো যেতিয়া মই দূৰ্বল, তেতিয়াই বলৱান। ১১ মই নিৰ্বোধ
হ'লো! এনে হবলৈ আপোনালোকে মোক অগত্যা কৰিলে, কিয়নো
আপোনালোকৰ দ্বাৰাই মই প্ৰশংসিতহে হব লাগিছিল; কিয়নো মই
একো নহলেও, 'অতি প্ৰধান পাঁচনি' সকলতকৈ অলপো নিকৃষ্ট নাছিলো৷

১২ আপোনালোকৰ মাজত সকলো ধৈর্য, আচৰিত চিন, অদ্ভুত লক্ষণ
আৰু পৰাক্ৰম কাৰ্যৰ দ্বাৰাই পাঁচনিৰ চিনবোৰ প্ৰকাশিত হৈছিল। ১৩ মই
যে নিজে আপোনালোকৰ ভাৰস্বৰূপ হোৱা নাই, এই বিষয়ত বাহিৰে
আপোনালোকে আনকি কথাত অন্য মণ্ডলীতকৈ নিকৃষ্ট হ'ল? মোৰ এই
অপৰাধটো ক্ষমা কৰক। ১৪ চাওক! তৃতীয় বাৰ মই আপোনালোকৰ
ওচৰলৈ যাবলৈ যুগুত হৈছোঁ আৰু এইবাৰো ভাৰস্বৰূপ নহ'ম, কিয়নো
আপোনালোকৰ সম্পত্তি নহয়, আপোনালোককহে বিচাৰো; কাৰণ
মাক-বাপেকৰ কাৰণে সন্তানে সাঁচিব লগা নহয়, সন্তানৰ কাৰণেহে
মাক-বাপেকে সাঁচিব লগা হয়। ১৫ সেইদৰে ময়ো আপোনালোকৰ
প্ৰাণৰ কাৰণে আনন্দেৰে ব্যয় কৰিম আৰু ব্যয় কৰাও হ'ম। যদি মই
আপোনালোকক অধিক প্ৰেম কৰোঁ, তেনেহলে মোক আপোনালোকে
কমকৈ প্ৰেম কৰিব নে? ১৬ কিন্তু যি দৰে মই আপোনালোকক ভাৰ
দিয়া নাছিলো কিন্তু চতুৰ হৈ ছলেৰে আপোনালোকক ধৰিলো, ১৭
তেনেদৰে আপোনালোকৰ ওচৰলৈ যি সকলক পঠালোঁ, তেখেত
সকলৰ কোনো এজনৰ দ্বাৰা মই আপোনালোকক ফুচুলাইছিলো নে?
১৮ আপোনালোকৰ ওচৰলৈ যাবলৈ তীতক উৎসাহিত কৰি, তেওঁৰ
লগত সেই ভাইকো পঠিয়াইছিলো। তাতে তীতে আপোনালোকক
ফুচুলাইছিল নে? আমি দুয়ো একে বাটেৰে চলা নাই জানো? আমি
একে খোজ লোৱা নাই নে? ১৯ আপোনালোকে ইমান সময়ে,
আমি নিজকে নিৰ্দ্দোষী দেখুৱাবলৈ যত্ন কৰিছোঁ বুলি ভাবিছে নে?
আমি ঈশ্বৰৰ দৃষ্টিত থাকি খ্ৰীষ্টত কৈ আছোঁ; আৰু হে প্ৰিয় সকল,
আপোনালোক ধৰ্মত বৃদ্ধি হ'বলৈহে এইবোৰ কথা কৈছোঁ। ২০ কিয়নো
মোৰ ভয় আছে যে, মই আপোনালোকৰ ওচৰলৈ যোৱা সময়ত
আপোনালোকক যি ৰূপত দেখিবলৈ ইচ্ছা নকৰোঁ, কিজানি সেইৰূপত
দেখিম আৰু আপোনালোকে মোক যিৰূপে দেখিবলৈ ইচ্ছা নকৰে,
মোক সেইৰূপত দেখে; তাতে কিজানি আপোনালোকৰ মাজত বাদ-
বিবাদ, ঈৰ্ষা, খং-ৰাগ, বিৰোধ, পৰচৰ্চা, দৰ্প, হুৰামুৰা, এই সকলো
ঘটিব; ২১ তাতে পুনৰ আহিলে, মোৰ ঈশ্বৰে আপোনালোকৰ আগত
মোক সৰু কৰিব; আৰু মই সেই অনেক লোকৰ কাৰণে শোক কৰিব

লাগিব৷ কাৰণ যি সকলে আগেয়ে পাপ কৰিছিল, তেওঁলোকে সেই
অশুচি কাৰ্যবোৰৰ পৰা মন-পালটন নকৰি, ব্যভিচাৰ আৰু লম্পট
আচৰণত যেনেদৰে চলি আছিল, তেনেদৰে চলি থাকিল৷
১৩ তৃতীয় বাৰ ধৰি মই আপোনালোকৰ ওচৰলৈ আহি আছোঁ।
দুই বা তিনি জন সাক্ষীৰ মুখেৰে সকলো কথা নিশ্চয় কৰা হ'ব। ২
আগেয়ে পাপ কৰা সকলক আৰু আন সকলোকে মই দ্বিতীয় বাৰ
উপস্থিত হৈ কোৱাৰ দৰে, সেই বিষয়ে আকৌ কৈছোঁ: "যদি আকৌ
আহো মই তেখেত সকলক ক্ষমা নকৰিম৷" ৩ মই আপোনালোকক
এই কথা কৈছোঁ, কিয়নো খ্ৰীষ্টে যে মোৰ দ্বাৰাই কথা কয় তাৰে প্ৰমাণ
আপোনালোকে বিচাৰি আছে; তেওঁ আপোনালোকলৈ দূৰ্বল নহয়
কিন্তু আপোনালোকৰ মাজত বলৱান। ৪ কিয়নো দূৰ্বলতাৰ দ্বাৰাই
তেওঁক ক্ৰুচত দিয়া হৈছিল কিন্তু ঈশ্বৰৰ শক্তিৰ দ্বাৰাই তেওঁ জীয়াই
আছে। আমিও তেওঁত দুৰ্বল আছোঁ কিন্তু ঈশ্বৰৰ শক্তিৰ কাৰণে,
আমি তেওঁৰে সৈতে আপোনালোকৰ লগত জীৱন-যাপন কৰিম।
৫ আপোনালোক বিশ্বাসত আছে নে নাই, সেই বিষয়ে জানিবলৈ
নিজক পৰীক্ষা কৰি তাৰ প্ৰমাণ চাওক। যীচু খ্ৰীষ্ট যে আপোনালোকৰ
অন্তৰত বাস কৰি থাকে সেই বিষয়ে আপোনালোকে অনুভৱ নকৰে
নে? যদি নকৰে তেনেহলে আপোনালোক অপ্ৰমাণিক লোক। ৬
আৰু মই সুনিশ্চিত যে, আপোনালোকে আমাক অপ্ৰমাণিক লোক বুলি
গণিত নকৰিব৷ ৭ এতিয়া আমি ঈশ্বৰৰ আগত এই প্ৰাৰ্থনা কৰোঁ,
আপোনালোকে যাতে কোনো ধৰণৰ কুকৰ্ম নকৰে৷ আমি পৰীক্ষাসিদ্ধ
বুলি প্ৰকাশিত হ'বলৈ নহয়, কিন্তু আমি অপ্ৰমাণিকৰ নিচিনা হ'লেও,
আপোনালোকে যেন উচিত কৰ্ম কৰে। ৮ কিয়নো সত্যৰ বিপক্ষে
আমাৰ একো শক্তি নাই কিন্তু সত্যৰ পক্ষে আছে। ৯ কাৰণ যেতিয়া
আমি দূৰ্বল কিন্তু আপোনালোক বলৱন্ত, তেতিয়া আমি আনন্দ কৰোঁ;
আৰু আপোনালোকৰ সম্পূৰ্ণতাৰ কাৰণে প্ৰাৰ্থনাও কৰোঁ। ১০ এই
কাৰণে, বিনষ্ট কৰিবলৈ নহয় কিন্তু ধৰ্মত বৃদ্ধি কৰিবলৈ প্ৰভুৱে মোক
যি ক্ষমতা দিলে, সেই ক্ষমতাৰ দৰে, মই উপস্থিত কালত যেন কঠিন
ব্যৱহাৰ কৰিব নালাগিব, এই অভিপ্ৰায়েৰে অনুপস্থিত থাকোঁতে,

এইবোৰ কথা লিখিছোঁ। ১১ শেষতে, হে ভাই সকল, আপোনালোকে
আনন্দ কৰক! সিদ্ধ হোৱা কৰ্ম কৰক, শান্ত্বনাযুক্ত হওক, একে মনৰ
লোক হওক, মিলেৰে শান্তিত থাকক; তাতে প্ৰেম আৰু শান্তিৰ আঁকৰ
ঈশ্বৰ আপোনালোকৰ লগত থাকিব। ১২ পবিত্ৰ চুমাৰে পৰস্পৰে
মঙ্গলবাদ কৰক। ১৩ সকলো পবিত্ৰ লোকে আপোনালোকক মঙ্গলবাদ
কৰিছে। ১৪ প্ৰভু যীচু খ্ৰীষ্টৰ অনুগ্ৰহ, ঈশ্বৰৰ প্ৰেম আৰু পবিত্ৰ আত্মাৰ
সহভাগিতা আপোনালোকৰ লগত থাকক।

# গালাতীয়া

১ মই পৌল, এজন পাঁচনি। এই পাঁচনি পদ কোনো মানুহৰ পৰা বা
মানুহৰ দ্বাৰাই মই পোৱা নাই, কিন্তু যীচু খ্ৰীষ্ট আৰু পিতৃ ঈশ্বৰ, যি
জনে যীচুক মৃত লোকৰ মাজৰ পৰা তুলিছিল, তেওঁলোকৰ দ্বাৰাই মই
পাঁচনি নিযুক্ত হ'লো। ২ মই আৰু মোৰ সহবৰ্ত্তী যি সকলো ভাই আছে,
আমাৰ সকলোৰে পৰা এই পত্ৰ গালাতীয়াৰ মণ্ডলীবোৰৰ সমীপলৈ। ৩
আমাৰ পিতৃ ঈশ্বৰ আৰু প্ৰভু যীচু খ্ৰীষ্টৰ পৰা আপোনালোকলৈ অনুগ্ৰহ
আৰু শান্তি হওক; ৪ যীচুৱে আমাৰ পাপ সমূহৰ কাৰণে নিজকে উছৰ্গা
কৰিলে যাতে আমাৰ পিতৃ ঈশ্বৰৰ ইচ্ছা অনুসাৰে তেওঁ আমাক বৰ্ত্তমান
মন্দ সংসাৰৰ পৰা উদ্ধাৰ কৰিব পাৰে। **(aiōn g165)** ৫ সেই পিতৃ ঈশ্বৰৰ
মহিমা চিৰকাল হওক। আমেন। **(aiōn g165)** ৬ খ্ৰীষ্টৰ অনুগ্ৰহত যি জনে
আপোনালোকক আমন্ত্ৰণ কৰিলে, আপোনালোক ইমান সোনকালে
তেওঁৰ পৰা অন্যবিধ শুভবাৰ্তালৈ ঘূৰি গৈছে দেখি মই আচৰিত
মানিছো। ৭ আচলতে কোনো অন্য শুভবাৰ্তা নাই। কিন্তু কিছুমান
লোক আছে, যি সকলে আপোনালোকক বিভ্ৰান্ত কৰে আৰু খ্ৰীষ্টৰ
শুভবাৰ্তা বিকৃত কৰিবলৈ বিচাৰে। ৮ কিন্তু আমি আপোনালোকৰ
আগত যি শুভবাৰ্তা প্ৰচাৰ কৰিলোঁ, তাৰ বাহিৰে আন শুভবাৰ্তা,
আমিয়েই হওক বা স্বৰ্গৰ দূতেই হওক, কোনোৱে যদি আপোনালোকৰ
আগত প্ৰচাৰ কৰে, তেনেহলে তেওঁ অভিশপ্ত হওক। ৯ আমি আগেয়ে
যেনেকৈ কৈছিলোঁ, এতিয়া মই পুনৰ কৈছোঁ, "আপোনালোকে যি
শুভবাৰ্তা গ্ৰহণ কৰিলে, তাৰ বাহিৰে আন শুভবাৰ্তা, কোনোৱে যদি
আপোনালোকৰ আগত প্ৰচাৰ কৰে, তেনেহলে তেওঁ অভিশপ্ত হওক।"
১০ মই এতিয়া মানুহৰ নে ঈশ্বৰৰ প্ৰশংসা বিচাৰিছোঁ? অথবা, মই
মানুহক সন্তুষ্ট কৰিবলৈ চেষ্টা কৰিছোঁ নেকি? মই যদি এতিয়াও
মানুহক সন্তুষ্ট কৰিবলৈ চেষ্টা কৰোঁ, তেনেহলে মই খ্ৰীষ্টৰ দাস নহওঁ।
১১ ভাই সকল, মই আপোনালোকক জনাবলৈ বিচাৰো যে, মই যি
শুভবাৰ্তা প্ৰচাৰ কৰিছোঁ, সেয়া কোনো মানুহৰ মত অনুসাৰে নহয়।
১২ কাৰণ মই মানুহৰ পৰা তাক পোৱা নাই আৰু মোক শিকোৱাও
নাই; কিন্তু যীচু খ্ৰীষ্টই নিজে এই বিষয়ে মোৰ আগত প্ৰকাশ কৰিলে।

১৩ আপোনালোকেতো শুনিছে যে, ইহুদী ধৰ্ম পালন কৰাৰ সময়ত মই কি ভাৱে জীৱন-যাপন কৰিছিলোঁ; কেনে নিৰ্মমভাৱে ঈশ্বৰৰ মণ্ডলীৰ ওপৰত অধিক পৰিমাণে তাড়না কৰি, তাক ধ্বংস কৰিবলৈ চেষ্টা কৰিছিলোঁ। ১৪ ইহুদী ধৰ্ম চৰ্চ্চাত মোৰ সমসাময়িক আনসকলতকৈ মই অনেক আগবাঢ়ি গৈছিলোঁ। পূৰ্বপুৰুষ সকলৰ পৰম্পৰাগত ৰীতি-নীতি পালনত মই যথেষ্ট উৎসাহী আছিলোঁ। ১৫ কিন্তু ঈশ্বৰে মোক মাতৃ-গৰ্ভৰে পৰা বাছি ল'লে আৰু তেওঁৰ অনুগ্ৰহেৰে মোক আমন্ত্ৰণ কৰিলে। ১৬ মই যেন অনা-ইহুদী সকলৰ আগত তেওঁৰ পুত্ৰৰ বিষয়ে শুভবাৰ্তা প্ৰচাৰ কৰোঁ; সেয়ে, ঈশ্বৰে যেতিয়া নিজ পুত্ৰক মোৰ জীৱনত প্ৰকাশ কৰিবলৈ সন্তুষ্ট হৈছিল, তেতিয়া মই ক্ষণিকৰ বাবেও মাংস আৰু তেজেৰে সৈতে কোনো পৰামৰ্শ নকৰিলোঁ; ১৭ এনে কি মোতকৈ আগেয়ে হোৱা পাঁচনি সকলক লগ পাবলৈ যিৰূচালেমলৈও নগ'লো; কিন্তু মই আৰব দেশলৈ গৈছিলোঁ আৰু পাছত পুনৰ দম্মেচকলৈ উলটি আহিলোঁ। ১৮ ইয়াৰ তিনি বছৰৰ পাছত, মই কৈফাৰে সৈতে চিনা পৰিচয় হ'বলৈ যিৰূচালেমলৈ গ'লো আৰু তেওঁৰ লগত পোন্ধৰ দিন থকিলোঁ। ১৯ তাত প্ৰভুৰ ভায়েক যাকোবৰ বাহিৰে আন কোনো পাঁচনি পদ পোৱা লোকক মই দেখা নাপালোঁ। ২০ চাওক, ঈশ্বৰৰ দৃষ্টিত মই আপোনালোকৰ ওচৰত এই যি সকলো কথা লিখিছোঁ, সেইবোৰ মিছা নহয়। ২১ তাৰ পাছত মই চিৰিয়া আৰু কিলিকিয়াৰ শাসনাধীন অঞ্চলবোৰলৈ গ'লো; ২২ তেতিয়াও খ্ৰীষ্টত আশ্ৰয় লোৱা যিহুদীয়াৰ মণ্ডলীবোৰৰ সৈতে মোৰ ব্যক্তিগত সাক্ষাত-পৰিচয় হোৱা নাছিল ২৩ কিন্তু তেওঁলোকে কেৱল শুনিবলৈ পাইছিল, "যি জনে পূৰ্বতে আমাক তাড়না কৰিছিল, তেওঁ এতিয়া সেই বিশ্বাসৰ বাণী প্ৰচাৰ কৰিছে, যি তেওঁ পূৰ্বে ধ্বংস কৰিবলৈ বিচাৰিছিল।" ২৪ আৰু তেওঁলোকে মোৰ বাবে ঈশ্বৰৰ মহিমা কৰিবলৈ ধৰিলে।

২ চৌদ্ধ বছৰ পাৰ হ'ল। মই বাৰ্ণব্বাৰ সৈতে যিৰূচালেমলৈ পুনৰ গৈছিলোঁ, লগত তীতকো লৈছিলোঁ। ২ ঈশ্বৰৰ পৰা পোৱা প্ৰকাশিত আজ্ঞা অনুসাৰে মই তালৈ গৈছিলোঁ। যি শুভবাৰ্তা মই অনা-ইহুদী সকলৰ মাজত প্ৰচাৰ কৰি থাকো, তাকে তেওঁলোকৰ আগত ব্যাখ্যা

কৰিলোঁ; কিন্তু সেই ঠাইৰ গণ্য-মান্য নেতা সকলৰ ওচৰত মই
সকলোবোৰ গোপনে ক'লো। মই বিচাৰিছিলোঁ, তেওঁলোকে যেন
বুজিব পাৰে যে মই বৃথাই দৌৰি থকা নাই বা বৃথাই দৌৰিলোঁ বুলি
যেন নাভাবে। ৩ মোৰ সঙ্গী তীতক গ্ৰীক মানুহ হোৱা সত্বেও তেওঁক
চুন্নৎ কৰিবলৈ বাধ্য নকৰিলে। ৪ গুপ্তচৰৰ দৰে পঠোৱা কেইজনমান
ভণ্ড খ্ৰীষ্টিয়ান ভাইৰ কাৰণে এনে হ'ল। খ্ৰীষ্ট যীচুৰ বিশ্বাসী হিচাপে
আমাৰ যি স্বাধীনতা আছে, তাত দোষ উলিয়াবলৈ তেওঁলোক গোপনে
সোমাইছিল যাতে আমাক ইহুদী ৰীতি-নীতিৰ দাস কৰিব পাৰে। ৫
কিন্তু শুভবাৰ্তাৰ সত্য যেন আপোনালোকৰ লগত থাকে, সেয়ে এক
মুহূৰ্তৰ কাৰণেও সেই ভণ্ড বিশ্বাসী ভাই সকলৰ বশ্যতা স্বীকাৰ কৰি
তেওঁলোকৰ বশৱৰ্ত্তী নহ'লো। ৬ মণ্ডলীত যি সকল মান্যৱন্ত বুলি
খ্যাত, তেওঁলোকে হ'লে মোক একোকে নজনালে। তেওঁলোক কি
প্ৰকাৰৰ লোক আছিল, তাতে মোৰ একো প্ৰয়োজন নাই। ঈশ্বৰে
মানুহৰ সমাদৃত বিষয়বোৰ গ্ৰহন নকৰে। ৭ এই মান্যৱন্ত লোক সকলে
দেখিলে যে ঈশ্বৰে মোক অচুন্নৎ সকলৰ ওচৰত শুভবাৰ্তা প্ৰচাৰৰ
দায়িত্ব দিছে, যেনেকৈ চুন্নৎ হোৱা সকলৰ ওচৰত শুভবাৰ্তা প্ৰচাৰৰ
দায়িত্ব পিতৰৰ ওপৰত দিছিল। ৮ কিয়নো চুন্নৎ হোৱা সকলৰ প্ৰতি
যি ঈশ্বৰে পিতৰৰ হৈ পাঁচনি পদৰ কাৰ্য সাধন কৰিছে, তেওঁ অনা-
ইহুদী সকলৰ কাৰণে মোৰ হৈয়ো একে পাঁচনি পদৰ কাৰ্য সাধন
কৰিছে; ৯ যেতিয়া মান্য হিচাপে খ্যাত নেতা যাকোব, কৈফা আৰু
যোহনে বুজি পালে যে মই ঈশ্বৰৰ পৰা বিশেষ অনুগ্ৰহ পাইছোঁ,
তেতিয়া মোক আৰু বাৰ্ণব্বাক কৰমৰ্দন কৰি তেওঁলোকৰ সহভাগিতাত
গ্ৰহণ কৰিলে। তেওঁলোক ৰাজী হ'ল যে, আমি অনা-ইহুদী সকলৰ
ওচৰলৈ যাম আৰু তেওঁলোক চুন্নৎ হোৱা সকলৰ ওচৰলৈ যাব; ১০
তেওঁলোকৰ কেৱল মাত্ৰ এটা অনুৰোধ আছিল যে, আমি যেন দৰিদ্ৰ
সকলৰ কথা মনত ৰাখো। অৱশ্যে, এই কাৰ্য কৰিবলৈ ময়ো যত্নবান
আছিলোঁ। ১১ কৈফা যেতিয়া আন্তিয়খিয়ালৈ আহিল, তেতিয়া মই
তেওঁৰ সন্মুখতে তেওঁৰ সাৱধান কৰিলোঁ; কাৰণ তেওঁ দোষ কৰিছিল।
১২ কিয়নো যাকোবৰ ওচৰৰ পৰা কেইজনমান ইহুদী লোক আহিছিল

আৰু তেওঁলোক অহাৰ আগেয়ে, কৈফাই অনা-ইহুদী সকলৰ সৈতে খোৱা-বোৱা কৰি আছিল। কিন্তু যেতিয়া তেওঁলোক আহিল, তেতিয়া চুন্নৎ হোৱা লোক সকললৈ ভয় কৰি কৈফাই অনা-ইহুদী সকলৰ সঙ্গ এৰি নিজক পৃথকে ৰাখিছিল। ১৩ অন্যান্য বিশ্বাসী ইহুদী সকলেও কৈফাৰ লগত এই কপট আচৰণত যোগ দিছিল। এনে কি বাৰ্ণব্বাও তেওঁলোকৰ কপটতাৰ দ্বাৰা প্ৰভাৱিত হৈছিল। ১৪ কিন্তু মই যেতিয়া দেখিলোঁ যে, তেওঁলোক শুভবাৰ্তাৰ সত্যতা অনুসাৰে সৰল পথত চলা নাই, তেতিয়া মই কৈফাক সকলোৰে সন্মুখত ক'লো, "আপুনি এজন ইহুদী হৈয়ো যদি ইহুদী সকলৰ দৰে আচৰণ নকৰি, অনা-ইহুদী সকলৰ দৰে আচৰণ কৰে, তেনেহলে যি সকল অনা-ইহুদী তেওঁলোকক ইহুদী সকলৰ দৰে জীৱন-ধাৰণ কৰিবলৈ জোৰ কৰিছে কিয়?" ১৫ আমি জন্মসূত্ৰে ইহুদী, "অনা-ইহুদী পাপী" নহয়। ১৬ তথাপি আমি জানো যে কোনেও বিধানৰ কৰ্মেৰে নহয়, কিন্তু অকল যীচু খ্ৰীষ্টত বিশ্বাস কৰাৰ দ্বাৰাইহে ধাৰ্মিক বুলি গণিত হয়; সেই কাৰণে আমিও খ্ৰীষ্ট যীচুৰ ওপৰত বিশ্বাস কৰিছোঁ যেন আমিও বিধানৰ কৰ্মেৰে নহয়, কিন্তু খ্ৰীষ্টত বিশ্বাস কৰাৰ দ্বাৰাই ধাৰ্মিক বুলি গণিত হওঁ। কিয়নো বিধানৰ কৰ্মৰ দ্বাৰাই কোনো মানুহেই ধাৰ্মিক বুলি গণিত নহ'ব। ১৭ কিন্তু আমি ইহুদী সকলে খ্ৰীষ্টত ধাৰ্মিক ৰূপে ঈশ্বৰৰ গ্ৰহণীয় হবলৈ গৈ যদি নিজে পাপী হৈ পৰো, তেনেহলে তাৰ অৰ্থ এয়ে নেকি যে, খ্ৰীষ্ট পাপৰ সেৱক? কেতিয়াও নহয়! ১৮ কিয়নো, মই যিহকে ভাঙিলোঁ, তাকে যদি মই আকৌ সাজোঁ, তেনেহলে মই নিজকে নিজে অপৰাধী বুলি প্ৰমাণ কৰোঁ। ১৯ মইতো বিধানৰ দ্বাৰাই বিধানৰ উদ্দেশ্যে মৰিলোঁ, যেন ঈশ্বৰৰ উদ্দেশ্যে জীয়াই থাকিব পাৰোঁ। ২০ মই খ্ৰীষ্টে সৈতে ক্ৰুচত হত হ'লো; মই জীয়াই আছোঁ বুলিলেও, সেয়ে এতিয়া মই নহয়, খ্ৰীষ্টহে মোৰ লগত জীয়াই আছে; মোৰ শৰীৰত যি জীৱন এতিয়া আছে, ঈশ্বৰৰ পুত্ৰত কৰা বিশ্বাসতহে মই সেই জীৱন-যাপন কৰিছোঁ। তেওঁ মোক প্ৰেম কৰিলে আৰু মোৰ কাৰণে নিজকে সমৰ্পণ কৰিলে। ২১ ঈশ্বৰৰ এই অনুগ্ৰহ মই ব্যৰ্থ নকৰোঁ; কিয়নো

বিধান পালনৰ দ্বাৰাই যদি ধাৰ্মিকতা হয়, তেনেহলে খ্ৰীষ্ট অকাৰণে
মৰিল।

৩ হে অবুজ গালাতীয়া লোক, কাৰ চকুৱে আপোনালোকক মুগ্ধ কৰি
পেলাইছে? আপোনালোকৰ চকুৰ আগতেই যীচু খ্ৰীষ্ট ক্ৰুচত হত হোৱা
বুলি জানো মই স্পষ্টভাৱে বৰ্ণনা কৰা নাছিলো? ২ মই কেৱল এই
বিষয়ে আপোনালোকৰ পৰা জানিব বিচাৰো যে, আপোনালোকে কি
বিধানৰ কাৰ্যৰ দ্বাৰাই আত্মা পালে নেকি? নে বাৰ্তা শুনি বিশ্বাস কৰাৰ
দ্বাৰাই পালে? ৩ আপোনালোক ইমানেই অবুজ নে? আত্মাৰে আৰম্ভ
কৰি, এতিয়া মাংসিক আচৰণত কিয় সমাপ্ত কৰিবলৈ গৈ আছে?
৪ আপোনালোকে বৃথাই ইমান দুখভোগ কৰিলে, যদি বাস্তৱিকতে
সেই দুখভোগ অনৰ্থক হৈ থাকে? ৫ গতিকে কওকচোন, যি জনে
আপোনালোকক আত্মা দান কৰে আৰু আপোনালোকৰ মাজত পৰাক্ৰম
কাৰ্য সাধন কৰে, তেওঁ বিধানৰ কৰ্মৰ দ্বাৰাই কৰে নে বাৰ্তা শুনি
বিশ্বাসৰ দ্বাৰাই কৰে? ৬ যেনেকৈ অব্ৰাহামে "ঈশ্বৰক বিশ্বাস কৰিছিল
আৰু সেই বিশ্বাসেই তেওঁৰ পক্ষে ধাৰ্মিকতাৰ স্বীকৃতি দিলে।" ৭
তেনেদৰে আপোনালোকেও এই কথা জানক যে, যি সকলে বিশ্বাস
কৰে, তেওঁলোকেই অব্ৰাহামৰ সন্তান। ৮ ধৰ্মশাস্ত্ৰত এই বিষয়ে পূৰ্বেই
লিখা আছিল যে, ঈশ্বৰে অনা-ইহুদী সকলক বিশ্বাসৰ দ্বাৰাই ধাৰ্মিক
বুলি গণিত কৰে। অব্ৰাহামৰ ওচৰত এই শুভবাৰ্তা আগেয়ে ঘোষণা
কৰা হৈছিল, "সকলো জাতিয়ে তোমাৰ মাধ্যমত আশীৰ্বাদ প্ৰাপ্ত হ'ব।"
৯ সেয়েহে, অব্ৰাহাম বিশ্বাসী হোৱাত যেনেকৈ আশীৰ্বাদ পাইছিল,
তেনেকৈ বিশ্বাসী সকলো অব্ৰাহামে সৈতে আশীৰ্বাদ প্ৰাপ্ত হয়। ১০
কিয়নো যিমান মানুহে বিধান-শাস্ত্ৰৰ কৰ্মৰ ওপৰত নিৰ্ভৰ কৰে, সেই
সকলোৱেই শাপগ্ৰস্ত; কিয়নো শাস্ত্ৰত লিখা আছে, "বিধানত যি সকলো
লিখা আছে, তাৰ সকলো কথা যি জনে পালন নকৰে, তেওঁ শাপগ্ৰস্ত।"
১১ এতিয়া এইটো সুস্পষ্ট যে বিধানৰ দ্বাৰাই ঈশ্বৰৰ দৃষ্টিত কোনো
ধাৰ্মিক বুলি গণিত নহয়, কাৰণ "ধাৰ্মিক জন বিশ্বাসৰ দ্বাৰাই জীয়াই
থাকিব।" ১২ বিধানৰ লগত বিশ্বাসৰ সম্বন্ধ নাই। কিন্তু "যি জনে
বিধানৰ সকলো কথা পালন কৰে, তেওঁ বিধানৰ মাজতে জীৱিত

থাকিব।” ১৩ খ্ৰীষ্টই মূল্য দি বিধানৰ শাপৰ পৰা আমাক মুক্ত কৰিলে।
কাৰণ, তেওঁ আমাৰ কাৰণে শাপস্বৰূপ হ’ল; কিয়নো লিখা আছে, “যি
জনক কাঠত অৰাঁ হয় তেওঁ শাপগ্ৰস্ত।” ১৪ খ্ৰীষ্টই নিজৰ ওপৰত এই
অভিশাপ লোৱাৰ এয়ে উদ্দেশ্য আছিল যে, যি আশীৰ্বাদ অব্ৰাহামে
লাভ কৰিছিল, সেই আশীৰ্বাদ খ্ৰীষ্ট যীচুৰ দ্বাৰাই অনা-ইহুদী সকলেও
যেন লাভ কৰিব পাৰে আৰু বিশ্বাসৰ দ্বাৰাই যেন আমি প্ৰতিজ্ঞাযুক্ত
আত্মা পাব পাৰোঁ। ১৫ ভাই সকল, মই এজন মানুহৰ দৰে কৈছোঁ।
মানুহৰ মাজত এবাৰ যেতিয়া এখন নিয়ম-পত্ৰ থিৰ কৰা হয়, সেই
নিয়ম-পত্ৰ কোনেও বাতিল কৰিব নোৱাৰে আৰু তাত একো যোগ
দিবও নোৱাৰে। ১৬ ঈশ্বৰে অব্ৰাহাম আৰু তেওঁৰ বংশলৈ প্ৰতিজ্ঞাবোৰ
কৰিছিল। ইয়াত বহু বচনত “বংশবোৰলৈ” বুলি অনেকৰ বিষয়ে
কোৱা নাই, কিন্তু কেৱল এজনকহে “তোমাৰ বংশলৈ” বুলি ক’লে;
সেই বংশ খ্ৰীষ্ট। ১৭ এতিয়া মই ইয়াকে কওঁ, পূৰ্বতে ঈশ্বৰৰ দ্বাৰাই
নিয়মৰ চুক্তি থিৰ কৰা হ’ল আৰু তাৰ চাৰি শ ত্ৰিশ বছৰৰ পাছত বিধান
আহিল। তাতে পূৰ্বৰ সেই নিয়মৰ চুক্তি প্ৰতিজ্ঞাৰ কৰাৰ দ্বাৰা বাতিল
হৈ নাযায়। ১৮ উত্তৰাধিকাৰ যদি বিধান পালনৰ জৰিয়তে প্ৰাপ্ত হয়,
তেনেহলে সেয়া পুনৰ প্ৰতিজ্ঞাৰ ওপৰত নিৰ্ভৰশীল হ’ব নোৱাৰে। কিন্তু
ঈশ্বৰে বিনামূল্যে এই উত্তৰাধিকাৰ এক প্ৰতিজ্ঞাৰ দ্বাৰাই অব্ৰাহামক
দান কৰিলে। ১৯ তেনেহলে ঈশ্বৰে বিধান কিয় দিলে? বিধান লঙ্ঘন
কৰাৰ দ্বাৰা অপৰাধ বুজিবলৈ বিধান দিয়া হৈছিল; যি জনৰ ওচৰত
ঈশ্বৰে প্ৰতিজ্ঞা কৰিছিল, অব্ৰাহামৰ সেই বংশ নহালৈকে, তাতে বৰ্তি
থাকিবলৈ বিধান দিয়া হৈছিল। স্বৰ্গৰ দূত সকলৰ যোগেদি এজন
মধ্যস্থকাৰীৰ দ্বাৰাই এই বিধান নিৰূপিত কৰা হৈছিল। ২০ এতিয়া
এজন মধ্যস্থকাৰীৰ উপস্থিতিয়ে ইয়াকে বুজায় যে, তাত এজনতকৈ
অধিক লোক আছে; কিন্তু ঈশ্বৰ হ’লে এজনহে। ২১ তেনেহলে বিধান
ঈশ্বৰৰ প্ৰতিজ্ঞাবোৰৰ বিৰুদ্ধে নেকি? নিশ্চয় নহয়! যদি এনে এক
বিধান থাকিলহেঁতেন যিয়ে জীৱন দিব পাৰে, তেনেহলে ধাৰ্মিকতা
অৱশ্যেই সেই বিধান পালন কৰাৰ দ্বাৰাই হ’লহেতেন। ২২ কিন্তু
শাস্ত্ৰই সকলোকে পাপৰ অধীনত ৰাখিলে। সেই বাবেই যীচু খ্ৰীষ্টক

বিশ্বাস কৰাৰ দ্বাৰাই আমাক উদ্ধাৰ কৰিবলৈ ঈশ্বৰৰ সেই প্ৰতিজ্ঞা;
যেন যি সকলে বিশ্বাস কৰে, তেওঁলোক সেই প্ৰতিজ্ঞাৰ অধিকাৰী হয়।
২৩ খ্ৰীষ্টত এই বিশ্বাস অহাৰ আগেয়ে, যেতিয়ালৈকে ঈশ্বৰে আমাৰ
ওচৰত বিশ্বাসৰ সেই কথা প্ৰকাশ নকৰিলে, আমি বিধানৰ অধীনত
বন্দী আৰু ৰক্ষিত আছিলোঁ। ২৪ এইদৰে খ্ৰীষ্ট নহালৈকে বিধান আমাৰ
কঠোৰ অভিভাৱক হ'ল যাতে বিশ্বাসৰ দ্বাৰাই আমি ধাৰ্মিক বুলি গণিত
হ'ব পাৰোঁ। ২৫ কিন্তু এতিয়া যিহেতু বিশ্বাস আমাৰ মাজত আহিল,
আমি পুনৰ কঠোৰ অভিভাৱকৰ অধীন নহওঁ। ২৬ কিয়নো খ্ৰীষ্ট যীচুত
কৰা বিশ্বাসৰ দ্বাৰাই আপোনালোক সকলো ঈশ্বৰৰ সন্তান হৈছে।
২৭ কাৰণ আপোনালোক যি সকলে খ্ৰীষ্টত বাপ্তিস্ম লৈছে, তেওঁলোক
সকলোৱেই নিজক খ্ৰীষ্টৰে ঢাকিলে। ২৮ এতিয়া খ্ৰীষ্ট যীচুত যি সকল
আছে, তেওঁলোকৰ মাজত ইহুদী কি গ্ৰীক, দাস কি স্বাধীনৰ কোনো
পাৰ্থক্য নাই; পুৰুষ বা স্ত্ৰীৰ মাজত কোনো ভেদাভেদ নাই। কিয়নো
খ্ৰীষ্ট যীচুত আপোনালোক সকলোৱেই এক। ২৯ আপোনালোক যদি
খ্ৰীষ্টৰ হয়, তেনেহলে আপোনালোক অব্ৰাহামৰ বংশধৰও হৈছে আৰু
অব্ৰাহামৰ ওচৰত ঈশ্বৰে যি প্ৰতিজ্ঞা কৰিছিল, আপোনালোক তাৰ
উত্তৰাধিকাৰীও হৈছে।

**4** কিন্তু মই কওঁ, উত্তৰাধিকাৰী শিশুহৈ থকালৈকে, সৰ্ব্বস্বৰ গৰাকী
হ'লেও তাতে তেওঁ আৰু দাসৰ মাজত একো প্ৰভেদ নাথাকে; ২
কিন্তু পিতৃৰ নিৰূপিত সময়লৈকে তেওঁ ন্যায় ৰক্ষক আৰু তত্বাৱধায়ক
সকলৰ অধীনত থাকে। ৩ এনেকৈ আমি যেতিয়া শিশু অৱস্থাত
আছিলোঁ, আমিও তেনেকৈ জগতৰ মৌলিক বিধিৰ অধীনত দাস
আছিলোঁ; ৪ কিন্তু যেতিয়া কাল সম্পূৰ্ণ হ'ল, তেতিয়া ঈশ্বৰে তেওঁৰ
নিজ পুত্ৰক পঠাই দিলে, যি জন মহিলাৰ পৰা জন্ম পোৱা আৰু ব্যৱস্থা
বিধানৰ অধীনত উৎপন্ন হোৱা, ৫ তেওঁ যাতে বিধানৰ অধীনত থকা
সকলোকে মুক্ত কৰিব পাৰে, তাতে আমি সকলোৱে যেন তেওঁৰ
সন্তান ৰূপে স্বীকৃতি হওঁ৷ ৬ কাৰণ আপোনালোক আটায়ে ঈশ্বৰৰ
পুত্ৰ, ঈশ্বৰে তেওঁৰ পুত্ৰৰ আত্মা নিজৰ ওচৰৰ পৰা আমাৰ হৃদয়লৈ
পঠায় দিলে; সেই আত্মাই, "আব্বা, পিতৃ", এই বুলি মাতে। ৭

এই কাৰণে আপুনি পুনৰ আগৰ দৰে দাস নহয় কিন্তু পুত্ৰ হৈছে;
যিহেতু পুত্ৰ হৈছে, সেয়েহে ঈশ্বৰৰ দ্বাৰাই উত্তৰাধিকাৰীও হৈছে৷ ৮
পূৰ্বতে আপোনালোকে যেতিয়া ঈশ্বৰক জনা নাছিল, তেতিয়া যিবোৰ
স্বাভাৱিকৰূপে ঈশ্বৰ নহয়, সেইবোৰৰ সেৱাকৰ্ম কৰিছিল। ৯ কিন্তু
এতিয়া আপোনালোকে ঈশ্বৰৰ পৰিচয় পালে, ইয়াৰ উপৰি ঈশ্বৰৰ
দ্বাৰাই পৰিচিত হ'ল; এনে স্থলত কেনেকৈ পুনৰ সেই দূৰ্বল আৰু
দীনহীন প্ৰাথমিক বিধিলৈ উলটি যাব? কেনেকৈ পুনৰ সেই বিধিবোৰৰ
সেৱাকৰ্ম কৰিব পাৰিব? ১০ আপোনালোকে বিশেষ বিশেষ দিন,
মাহ, ঋতু আৰু বছৰ এইবোৰ পালন কৰি আছে। ১১ আপোনালোকৰ
কাৰণে মোৰ এই ভয় হয়; জানোচা মই যি পৰিশ্ৰম কৰিলোঁ, সেয়ে
কিজানিবা কেনেবাকৈ ব্যৰ্থ হয়। ১২ হে ভাই সকল, বিনয় কৰি কৈছোঁ,
অাপোনালোক মোৰ নিচিনা হওক; কিয়নো ময়ো আপোনালোকৰ
নিচিনা হৈছোঁ। আপোনালোকে মোৰ একো অন্যায় কৰা নাছিল। ১৩
মোৰ শৰীৰৰ দূৰ্ব্বলতাৰ কাৰণে, মই যে প্ৰথম বাৰ আপোনালোকৰ
আগত শুভবাৰ্তা প্ৰচাৰ কৰিছিলোঁ, সেই বিষয়ে আপোনালোকে জানে।
১৪ মোৰ মাংসত আপোনালোকৰ যি পৰীক্ষা হৈছিল, সেই বিষয়ত
আপোনালোকে হেয়জ্ঞান আৰু ঘৃণাবোধ কৰা নাছিল; বৰং ঈশ্বৰৰ
এজন দূত, এনে কি খ্ৰীষ্ট যীচুৰ নিচিনাকৈ মোক গ্ৰহন কৰিছিল। ১৫
এতিয়া আপোনালোকৰ সেই আনন্দ ক'ত? কিয়নো আপোনালোকৰ
পক্ষে মই সাক্ষ্য দিছিলোঁ যে, সাধ্য হোৱা হ'লে আপোনালোকে নিজ
নিজ চকুকো কাঢ়ি মোক দিলেহেঁতেন। ১৬ এতিয়া আপোনালোকক
সত্য কথা কোৱাত মই আপোনালোকৰ ওচৰত শত্ৰু হ'লোঁ নে? ১৭
সেই লোক সকল আপোনালোকৰ প্ৰতি আগ্ৰহী কিন্তু কোনো ভাল
উদ্দেশ্যৰ বাবে আগ্ৰহী নহয়৷ তেওঁলোকে আপোনালোকক মোৰ
কাষৰ পৰা অাতৰাই অানিবলৈ বিচাৰে, যাতে আপোনালোকে
তেওঁলোকৰ প্ৰতি আগ্ৰহ প্ৰকাশ কৰে৷ ১৮ অৱশ্যে আগ্ৰহ দেখুওৱা
ভাল, যদিহে সৎ উদ্দেশ্যেৰে তাক কৰা হয়৷ অকল মই আপোনালোকৰ
তাত উপস্থিত থাকোতে যে ভাল, এনে নহয়, কিন্তু সকলো সময়তে
থকা ভাল। ১৯ হে মোৰ প্ৰিয় সন্তান সকল, আপোনালোকৰ কাৰণে

পুনৰ এবাৰ প্ৰসৱ যন্ত্ৰণা ভোগ কৰিছোঁ; যেতিয়ালৈকে আপোনালোকত
খ্ৰীষ্টৰ আকাৰ উৎপন্ন নহয়, তেতিয়ালৈকে ভোগ কৰি আছোঁ৷ ২০
এতিয়া আপোনালোকৰ ওচৰত যাবৰ বাবে মোৰ মন গৈ আছে আৰু
তাত বেলেগ ভাবে এই সকলো কথা আপোনালোকৰ লগত আলোচনা
কৰিব পাৰিলোঁ হয়৷ আপোনালোকৰ বাবে মই বিবুদ্ধিত পৰি আছোঁ।
২১ হে বিধান-শাস্ত্ৰৰ অধীন হ'ব খোজা সকল, মোক কওকচোন,
আপোনালোকৰ মাজৰ কোনে বিধানৰ কথা শুনিবলৈ নিবিচাৰে? ২২
কিয়নো লিখা আছে যে, অব্ৰাহামৰ দুজন পুত্ৰ আছিল; বেটীৰ গৰ্ভত
ওপজা এজন, স্বাধীন জনীৰ গৰ্ভত ওপজা এজন। ২৩ কিন্তু বেটীৰ যি
জন, সি মাংস অনুসাৰে জন্মিছিল; কিন্তু স্বাধীন জনীৰ যি জন, সেই
জন প্ৰতিজ্ঞাৰ গুণেহে জন্মিছিল। ২৪ এইবোৰ কথাৰ এটা আন প্ৰকাৰ
ভাবাৰ্থ আছে; কিয়নো এই দুজনীয়েই দুই বিধান হৈছে; এক নিয়ম
চীনয় পৰ্বতৰ পৰা দাসত্বৰূপ অৱস্থাত প্ৰসৱ কৰোঁতা; সেয়ে হৈছে
হাগাৰ৷ ২৫ কিয়নো আৰব দেশত হাগাৰ শব্দৰ অৰ্থ, চীনয় পৰ্বত; আৰু
বৰ্তমানে থকা যিৰূচালেমকো বুজায়; কিয়নো তাই নিজ সন্তানে সৈতে
বন্দী অৱস্থাত আছিল। ২৬ কিন্তু উৰ্দ্ধলোকত থকা যিৰূচালেম স্বাধীন;
তেওঁ হৈছে, আমাৰ মাতৃ। ২৭ কিয়নো লিখা আছে, “হে প্ৰসৱ নকৰা
বন্ধ্যা আনন্দ কৰা, তোমালোকৰ মাজৰ যি গৰাকীয়ে সন্তান প্ৰসৱ
কৰা নাই; বৰ মাতেৰে উল্লাস আৰু হৰ্ষনাদ কৰা; কিয়নো গিৰিয়েক
থকা জনীতকৈ অনাথিনী জনীৰ সন্তান অধিক হব।” ২৮ এতিয়া হে
ভাই সকল, ইচহাকৰ দৰে আমিও প্ৰতিজ্ঞাৰ সন্তান হৈছোঁ৷ ২৯ কিন্তু
তেতিয়া যেনেকৈ মাংস অনুসাৰে জন্ম পোৱা জনে আত্মা অনুসাৰে
জন্ম পোৱা জনক তাড়না কৰিছিল, তেনেকৈ এতিয়াও হৈছে। ৩০
কিন্তু শাস্ত্ৰই কি কয়? ‘বেটী আৰু তাইৰ পুতেকক খেদি দিয়া; কিয়নো
স্বাধীন জনীৰ পুতেকৰ সৈতে, বেটীৰ পুতেকে উত্তৰাধিকাৰী নাপাব’।
৩১ এতেকে হে ভাই সকল, আমি বেটীৰ সন্তান নহওঁ; সেই স্বাধীন
গৰাকীৰহে সন্তান হওঁ।

**৫** খ্ৰীষ্টে আমাক স্বাধীন কৰিছে যাতে আমি স্বাধীন ভাবে থাকিব
পাৰোঁ; এতেকে সুস্থিৰ হওক, পুনৰ দাসত্বৰ ফান্দত নপৰিব। ২

চাওক, মই পৌলে আপোনালোকক কৈ আছোঁ, যদি আপোনালোকে
চুন্নৎ কৰা যোগেদি পুনৰ বিধিবোৰলৈ ঘুৰি যায়, তেনেহলে খ্ৰীষ্টত
আপোনালোকৰ একো লাভ নহ'ব। ৩ পুনৰ মই সকলো মানুহক সাক্ষ্য
দি কওঁ যে, আপোনালোকে যদি চুন্নৎ হবলৈ বিচাৰি আছে, তেতিয়াহলে
প্ৰতিজনে বিধান পালন কৰিব লাগিব। ৪ পূৰ্বতে আপোনালোক
খ্ৰীষ্টৰ পৰা বিচ্ছিন্ন হৈ আছিল, আপোনালোক সকলোৱে বিধানৰ
দ্বাৰাই বিচাৰত গ্ৰহণীয় হোৱাটো বিচাৰিছিল; এইদৰে আপোনালোক
অনুগ্ৰহৰ পৰা খহি পৰিছিল৷ ৫ কিয়নো আমি আত্মাৰ যোগেদি
বিশ্বাসৰ দ্বাৰাই ধাৰ্মিকতাৰ আশা লৈ বাট চাই আছোঁ। ৬ কিয়নো খ্ৰীষ্ট
যীচুত চুন্নৎ আৰু অচুন্নতৰ একো সাৰ্থকতা নাই, কিন্তু ইয়াৰ পৰিৱৰ্তে
প্ৰেমৰ যোগেদি একমাত্ৰ বিশ্বাসে কাৰ্য সাধন কৰে। ৭ আপোনালোকে
ভালদৰে দৌৰিছিল; পাছত কোনে আপোনালোকক সত্যক নামানিবলৈ
বাধা জন্মালে? ৮ যি জনে আপোনালোকক প্ৰৰোচনা কৰিছে, সেই
জন আপোনালোকক আহ্বান কৰা জনৰ পৰা অহা নহয়। ৯ অলপ
খমিৰে সনা পিঠাগুড়িৰ আটাইখিনিকে ফুলায়। ১০ আপোনালোকে যে
আন কোনো বিষয় নাভাবে, এই বিষয়ে প্ৰভুত আমাৰ সম্পূৰ্ণ বিশ্বাস
আছে; কিন্তু যি জনে আপোনালোকক অস্থিৰ কৰে, সেই জনে নিজ দণ্ড
ভোগ কৰিব, তেওঁ যি কোনোৱে নহওক। ১১ হে ভাই সকল, মই যদি
চুন্নৎ হোৱা বিধান ৰাজহুৱা ভাবে প্ৰচাৰ কৰোঁ, তেনেহলে মই কিয়
এতিয়াও নিৰ্যাতন ভোগ কৰি আছোঁ? কিন্তু চুন্নতৰ প্ৰয়োজন সমন্ধে
যদি এতিয়াও কওঁ তেতিয়া হ'লে, ক্ৰুচৰ বিঘিনি লুপ্ত হ'লহেঁতেন।
১২ যি সকলে আপোনালোকক ভুল ধাৰণা দি আছে, তেওঁলোকে
নিজে আগুৱাই যাওঁক আৰু নিজে নিজৰ অণ্ডকোষো ছেদন কৰক।
১৩ হে ভাই সকল, আপোনালোক স্বাধীনতাৰ বাবেহে আমন্ত্ৰিত হ'ল৷
আপোনালোকৰ এই স্বাধীনতা কেৱল মাংসৰ অভিলাষ পুৰ কৰিবৰ
কাৰণে নহওক; কিন্তু প্ৰেমৰ যোগেদি এজনে আন জনৰ সেৱাকৰ্ম
কৰক। ১৪ কিয়নো সকলো বিধান সিদ্ধ হৈ এটা আজ্ঞাতে স্থিৰ আছে,
সেইটো হ'ল, 'তোমাৰ চুবুৰীয়াক নিজৰ নিচিনাকৈ প্ৰেম কৰা৷' ১৫
কিন্তু আপোনালোকে যদি পৰস্পৰৰ মাজত খোৱা-কামোৰা কৰি

থাকে, তেনেহলে সাৱধান হ'ব, যাতে আপোনালোকে এইদৰে ইজনে
সিজনৰ অনিষ্ট সাধন নকৰে৷ ১৬ কিন্তু মই কওঁ, আপোনালোকে
আত্মাৰে চলক; তাতে কোনোমতে আপোনালোকে মাংসৰ অভিলাষ
পুৰ নকৰিব। ১৭ কিয়নো মাংসই আত্মাৰ বিৰুদ্ধে আৰু আত্মাই মাংসৰ
বিৰুদ্ধে অভিলাষ কৰে; কাৰণ আপোনালোকে যি কৰিবলৈ ইচ্ছা কৰে,
তাক যেন আপোনালোকে নকৰে, তাৰ কাৰণে এই দুয়ো পৰস্পৰ
বিৰুদ্ধা-বিৰুদ্ধী। ১৮ কিন্তু আপোনালোকে যদি আত্মাৰ দ্বাৰাই চালিত
হয়, তেনেহলে আপোনালোক বিধানৰ অধীন নহয়। ১৯ এতিয়া মাংসৰ
কাৰ্যবোৰ দৃশ্যমান৷ সেয়ে ব্যভিচাৰ, অশুচি কাৰ্য, লম্পট আচৰণ, ২০
মূৰ্তিপূজা, মায়াকৰ্ম্ম, নানা বিধ শত্ৰুতা, বিবাদ, ঈৰ্ষা, খং-ৰাগ, বিৰোধ
বিভেদ, নানামত অসূয়া, মত্ততা, ২১ হিংসুক, মতলীয়া, মতলীয়া হৈ
হাই-কাজিয়া কৰা, আৰু এইবোৰৰ নিচিনা আন আন অপৰাধ কৰ্ম;
এই সকলো বিষয়ৰ ওপৰত মই যেনেকৈ পূৰ্বতে আপোনালোকক
সাৱধান কৰি কৈছিলোঁ, তেনেকৈ এতিয়াও কৈছোঁ, যি সকলে এনে
আচৰণ কৰে, তেওঁলোকে ঈশ্বৰৰ ৰাজ্যত অধিকাৰ নাপাব। ২২ কিন্তু
আত্মাৰ ফল হ'ল, প্ৰেম, আনন্দ, শান্তি, চিৰসহিষ্ণুতা, দয়া, মঙ্গলভাৱ,
বিশ্বাস, ২৩ মৃদুভাব, ইন্দ্ৰিয়-দমন৷ এইবোৰৰ বিৰুদ্ধে কোনো বিধান
নাই। ২৪ আৰু যি সকল খ্ৰীষ্ট যীচুৰ, তেওঁলোকে মাংসিক অভিলাষেৰে
সৈতে কু-ভাৱনা আৰু আসক্তিক ক্ৰুচত দিলে৷ ২৫ আমি যদি আত্মাৰে
জীয়াই থাকো, তেনেহলে আত্মাৰে চলোহঁক। ২৬ সেয়েহে আমি ইজনে
সিজনৰ খং তুলি আৰু ইজনে সিজনক হিংসা কৰি, অনৰ্থক অহংকাৰ
নকৰোঁহক।

**৬** হে ভাই সকল, কোনো মানুহ যদি কোনো অপৰাধত পৰে,
তেনেহলে আত্মিক যি আপোনালোক, আপোনালোকে মৃদুশীল আত্মাৰে
তেনেকুৱা জনক পুনৰ সুস্থ কৰক; কিন্তু পাছত নিজে নিজৰ পৰীক্ষাত
নপৰিবৰ বাবে আপুনিও সাৱধান হ'ব৷ ২ আপোনালোকে ইজনে
সিজনৰ ভাৰ কঢ়িয়াওক আৰু খ্ৰীষ্টৰ বিধান সম্পূৰ্ণকৈ পালন কৰক। ৩
কিয়নো কোনোৱে একো নহৈয়ো যদি নিজকে বৰ মানে, তেনেহলে
তেওঁ নিজকে প্ৰতাৰণা কৰে। ৪ প্ৰতিজনে নিজ কৰ্ম বিবেচনা কৰক;

আৰু তেতিয়া তেওঁ অন্যৰ তুলনাত নহয় কিন্তু নিজৰ বিষয়তহে গৌৰৱ
কৰাৰ কাৰণ পাব। ৫ কিয়নো প্ৰতিজনে নিজে নিজৰ ভাৰ ব’ব। ৬ যি
জনে বাক্যৰ শিক্ষা পায়, তেওঁ শিক্ষকৰ সৈতে সকলো ভাল বস্তুৰ
ভাগ দিয়ক। ৭ আপোনালোক ভ্ৰান্ত নহ’ব, ঈশ্বৰক প্ৰতাৰণা নকৰিব৷
কিয়নো মানুহে যিহকে ৰুৱে তাকেহে দাব। ৮ কাৰণ যি জনে নিজৰ
মাংসৰ উদ্দেশ্যে ৰুৱে, তেওঁ মাংসৰ পৰা অৰক্ষয়ৰূপ শস্য দাব; কিন্তু
যি জনে আত্মাৰ উদ্দেশ্যে ৰুৱে, তেওঁ আত্মাৰ পৰা অনন্ত জীৱনৰূপ
শস্য দাব। **(aiōnios g166)** ৯ আমি ভাল কৰ্ম কৰি কৰি যেন ক্লান্ত
নহওঁ; কিয়নো আমি ক্লান্ত নহ’লে উচিত সময়ত দাবলৈ পাম। ১০ এই
হেতুকে আহক, সুযোগ পালে সকলোৰে বাবে, বিশেষকৈ পৰিয়াল
স্বৰূপ বিশ্বাস কৰা লোক সকলৰ বাবে উত্তম কৰ্ম কৰোঁ আহক। ১১
চাওক, মই নিজ হাতেৰে কিমান দিঘলীয়া চিঠি আপোনালোকলৈ
লিখিলোঁ। ১২ যি সকল লোকে মাংসিক ৰূপে ভাল প্ৰভাৱ বিস্তাৰ কৰিব
বিচাৰে, সেই সকলেহে আপোনালোকক চুন্নৎ হবলৈ বাধ্য কৰাই,
কিন্তু তেওঁলোকে খ্ৰীষ্টৰ ক্ৰুচৰ অৰ্থে তাড়না নাপাবৰ কাৰণেহে ইয়াকে
কৰে। ১৩ কিয়নো চুন্নৎ হোৱা সকলে নিজেও বিধান পালন নকৰে;
আপোনালোকৰ মাংসত তেওঁলোকে যেন গৌৰৱ কৰিব পাৰে, এই
কাৰণে আপোনালোক চুন্নৎ হোৱাতো তেওঁলোকে ইচ্ছা কৰে। ১৪
কিন্তু আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ ক্ৰুচৰ বাহিৰে আন কোনো কথাত গৌৰৱ
কৰা মোৰ পৰা নহওক; তেওঁৰ দ্বাৰাই জগত খন মোৰ বাবে আৰু
মই জগত খনৰ বাবে ক্ৰুচত হত হলোঁ। ১৫ কিয়নো চুন্নতো একো
নহয়, অচুন্নতো একো নহয়; কিন্তু নতুন সৃষ্টিহে গুৰুত্বপূৰ্ণ। ১৬ যিমান
মানুহ এই সূত্ৰ অনুসাৰে চলিব, তেওঁলোকৰ ওপৰত শান্তি আৰু দয়া
থাকক; আৰু ইস্ৰায়েলৰ ঈশ্বৰৰ ওপৰতো থাকক৷ ১৭ এতিয়াৰ পৰা
কোনেও মোক অসুবিধা নিদিয়ক; কিয়নো মই নিজ শৰীৰত যীচুৰ
নানা চিন লৈ ফুৰি আছোঁ। ১৮ ভাই সকল, আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ
অনুগ্ৰহ আপোনালোকৰ আত্মাৰ লগত থাকক। আমেন।

# ইফিচীয়া

১ মই পৌল, ঈশ্বৰৰ ইচ্ছাৰ দ্বাৰাই খ্ৰীষ্ট যীচুৰ নিযুক্ত এজন পাঁচনি।
ইফিচত থকা ঈশ্বৰৰ আৰু খ্ৰীষ্ট যীচুত বিশ্বাস কৰা পবিত্ৰ লোক সকলৰ
সমীপলৈ; ২ আমাৰ পিতৃ ঈশ্বৰ আৰু প্ৰভু যীচু খ্ৰীষ্টই আপোনালোকক
অনুগ্ৰহ আৰু শান্তি দান কৰক। ৩ আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ পিতৃ
ঈশ্বৰৰ প্ৰশংসা হওক। তেওঁ স্বৰ্গীয় ঠাইবোৰত থকা সকলো আত্মিক
আশীৰ্বাদেৰে সৈতে খ্ৰীষ্টত আমাক আশীৰ্বাদ কৰিলে। ৪ জগত সৃষ্টিৰ
পূৰ্বতে ঈশ্বৰে খ্ৰীষ্টত বিশ্বাস কৰা সকলক মনোনীত কৰিলে। আমি
যেন ঈশ্বৰৰ দৃষ্টিত পবিত্ৰ আৰু নিষ্কলঙ্ক হওঁ, এই কাৰণে তেওঁ আমাক
মনোনীত কৰিলে। ৫ ঈশ্বৰে প্ৰেমৰ দ্বাৰাই পূৰ্বৰে পৰা আমাক যীচু
খ্ৰীষ্টৰ মাধ্যমেদি নিজৰ তোলনীয়া সন্তান ৰূপে নিৰূপণ কৰিলে। এই
কাৰ্য ঈশ্বৰে আনন্দেৰে নিজৰ মনোবাঞ্ছাৰে সম্পন্ন কৰিলে। ৬ ঈশ্বৰে
এই সকলো কৰিলে, যাতে তেওঁৰ প্ৰিয় যীচু খ্ৰীষ্টত আমাক যি অনুগ্ৰহ
বিনামূল্যে দান কৰিলে, সেই গৌৰৱময় অনুগ্ৰহৰ প্ৰশংসা হয়। ৭
কিয়নো ঈশ্বৰৰ সেই প্ৰিয়জনত, তেওঁৰ তেজৰ দ্বাৰা আমি মুক্তি পালোঁ;
তেওঁৰ উপচি পৰা অনুগ্ৰহৰ দ্বাৰা আমি পাপৰ ক্ষমা পালোঁ। ৮ সেই
অনুগ্ৰহ তেওঁ আমালৈ সকলো জ্ঞান আৰু বুদ্ধিত উপচাই দিলে। ৯
খ্ৰীষ্টত কাৰ্য সম্পন্ন কৰাৰ পৰিকল্পনাৰে ঈশ্বৰে নিজ ইচ্ছা অনুসাৰে
তেওঁৰ পৰিকল্পনাৰ গোপনীয়তা আমাৰ আগত প্ৰকাশ কৰিলে। ১০
ঈশ্বৰে স্থিৰ কৰি ৰাখিছিলে যে নিৰূপিত সময় পূৰ্ণ হলে পৰিকল্পনাৰ
কাৰ্য-সাধনৰ অৰ্থে তেওঁ স্বৰ্গত আৰু পৃথিৱীত থকা সকলোকে মিলন
কৰাই খ্ৰীষ্টৰ অধীনলৈ আনিব। ১১ ঈশ্বৰে নিজৰ ইচ্ছাৰ মন্ত্ৰণা অনুসাৰে
সকলো কাৰ্য সাধন কৰে। তেওঁৰ পৰিকল্পনাৰ দৰে আগেয়ে যি যি স্থিৰ
কৰি ৰাখিছিল, সেইদৰেই তেওঁ আমাক খ্ৰীষ্টত মনোনীত কৰি ললে।
১২ আমি যি সকলে আগেয়ে খ্ৰীষ্টত আশা ৰাখিছো, সেই সকলৰ পৰাই
যেন তেওঁৰ মহিমাৰ প্ৰশংসা হয়, সেই বাবেই তেওঁ আমাক মনোনীত
কৰি ললে। ১৩ আপোনালোকেও খ্ৰীষ্টতে সত্যৰ বাক্য, পৰিত্ৰাণ লাভৰ
শুভবাৰ্তা শুনি তেওঁত বিশ্বাস কৰিলে। আপোনালোকক উত্তৰাধিকাৰৰ
অৰ্থে ঈশ্বৰৰ প্ৰতিজ্ঞাযুক্ত পবিত্ৰ আত্মাৰে মোহৰ মৰা হ'ল। ১৪ ঈশ্বৰে

যি সকলো প্ৰতিজ্ঞা কৰিছে, সেই সকলো প্ৰতিজ্ঞা সম্পূৰ্ণকৈ প্ৰাপ্তি
নোহোৱালৈকে সেই আত্মা আমাৰ উত্তৰাধিকাৰৰ বইনা স্বৰূপ হৈ
আছে। এই সকলোবোৰৰ দ্বাৰাই ঈশ্বৰৰ মহিমাৰ প্ৰশংসা হব। ১৫ এই
কাৰণে মই যেতিয়া প্ৰভু যীচুত আপোনালোকৰ বিশ্বাসৰ কথা আৰু
ঈশ্বৰৰ মনোনীত পবিত্ৰ লোক সকলৰ প্ৰতি আপোনালোকৰ প্ৰেমৰ
কথা শুনিলো, ১৬ তেতিয়াৰে পৰা মই আপোনালোকৰ কাৰণে ঈশ্বৰক
ধন্যবাদ দিবলৈ আৰু মোৰ প্ৰাৰ্থনা কালত আপোনালোকৰ নাম উল্লেখ
কৰিবলৈ ৰখা নাই। ১৭ মই এই প্ৰাৰ্থনা কৰোঁ যে, আপোনালোকক
আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ ঈশ্বৰ অৰ্থাৎ সেই গৌৰৱময় পিতৃয়ে আত্মিক
জ্ঞান দিয়ক আৰু তেওঁক বুজিবলৈ নিজৰ তত্ত্ব-জ্ঞান প্ৰকাশ কৰক।
১৮ ঈশ্বৰৰ আমন্ত্ৰণৰ যি আশা আৰু মনোনীত পবিত্ৰ লোক সকলৰ
মাজত তেওঁৰ যি উত্তৰাধিকাৰৰ প্ৰতাপৰূপ ধন, তাক আপোনালোকৰ
হৃদয়ৰ ঐশ্বৰিক চকুৰে যেন দেখা পায়; ১৯ লগতে ঈশ্বৰৰ শক্তিৰ
কাৰ্যসাধক গুণ অনুসাৰে বিশ্বাস কৰা যি আমি, আমাৰ মাজত তেওঁৰ
শক্তিৰ যি অতিৰিক্ত মহাশক্তিয়ে কাৰ্য কৰিছে, সেই বিষয়েও যেন
আপোনালোকে জানিব পাৰে। ২০ সেই মহাশক্তিৰেই তেওঁ মৃত
লোকৰ মাজৰ পৰা খ্ৰীষ্টক তুলিলে আৰু নিজৰ সোঁ হাতে স্বৰ্গীয় ঠাইত
বহুৱালে। ২১ সকলো শাসন, ক্ষমতা, পৰাক্ৰম, আৰু প্ৰভুত্ব আদি কৰি
যিমান নাম ইহলোক আৰু পৰলোকত উল্লেখ কৰা যায়, সেই সকলো
নামৰ উৰ্দ্ধত খ্ৰীষ্টৰ নাম স্থাপিত হ'ল। **(aiōn g165)** ২২ ঈশ্বৰে সকলোকে
খ্ৰীষ্টৰ চৰণৰ তলত বশীভূত কৰিলে আৰু তেওঁকেই সকলোৰে মূৰ
কৰি মণ্ডলীক দান কৰিলে; ২৩ সেই মণ্ডলী তেওঁৰ শৰীৰ; তেওঁৰ
পৰিপূৰ্ণতাই সকলো বিষয় সকলো প্ৰকাৰে পূৰ্ণ কৰে।

**২** পূৰ্বতে আপোনালোক নিজ অপৰাধ আৰু পাপবোৰত মৰি আছিল।
২ এইবোৰৰ সৈতে আপোনালোকে জীৱন-যাপন কৰি জগতৰ
নিয়ম অনুসাৰে চলি আছিল। আপোনালোকে আকাশৰ মন্দ শক্তিৰ
অধিকাৰীৰ অনুসৰণকাৰী হৈ, অবাধ্যতাৰ সন্তান সকলৰ জীৱনত
কাৰ্য কৰি থকা অশুচি আত্মাৰ দৰে চলি আছিল। **(aiōn g165)** ৩ আমি
সকলোৱেই এসময়ত মাংস আৰু মনৰ ইচ্ছাৰে কাৰ্য কৰিছিলোঁ আৰু

আমাৰ মাংসিক কু-অভিলাষবোৰৰ কামনা পূৰ্ণ কৰি সেই বিশ্বাসবিহীন
লোক সকলৰ মাজত জীয়াই আছিলোঁ। আমিও আন সকলোৰে নিচিনা,
স্বভাবতে ঈশ্বৰৰ ক্ৰোধৰ সন্তান আছিলোঁ। ৪ কিন্তু দয়া ধনেৰে ধনৱান
ঈশ্বৰে যি মহা প্ৰেমেৰে আমাক প্ৰেম কৰিলে, ৫ তাৰ কাৰণে আমি
অপৰাধত মৰি থকা কালতেই, খ্ৰীষ্টৰ সৈতে তেওঁ আমাক নতুন জীৱন
দিলে; অনুগ্ৰহেৰে আপোনালোকে পৰিত্ৰাণ পালে; ৬ তেওঁ আমাক খ্ৰীষ্ট
যীচুৰ সৈতে তুলিলে আৰু খ্ৰীষ্ট যীচুৰ সৈতে স্বৰ্গীয় ঠাইবোৰত বহুৱালে।
৭ ঈশ্বৰে এই কাম কৰিলে, যাতে খ্ৰীষ্ট যীচুত আমাৰ বাবে তেওঁৰ যি
স্নেহ, তাৰ দ্বাৰাই যেন ভাবী যুগত তেওঁৰ অনুগ্ৰহৰ মহা ধন যুগে যুগে
প্ৰকাশ কৰিব পাৰে। **(aiōn g165)** ৮ কিয়নো অনুগ্ৰহৰ যোগেদি বিশ্বাসৰ
দ্বাৰাই আপোনালোকে পৰিত্ৰাণ পালে; আৰু সেয়ে আমাৰ পৰা নহয়;
কিন্তু সেয়া ঈশ্বৰৰহে এক দান। ৯ কোনেও যেন গৰ্ব কৰিব নোৱাৰে,
সেয়ে কৰ্মৰ পৰাও নহয়। ১০ কিয়নো আমি ঈশ্বৰৰ কাৰিকৰী; যি
সৎ কাম ঈশ্বৰে আমাৰ কাৰণে আগেয়ে প্ৰস্তুত কৰিলে, সেই পথত
চলিবলৈ আৰু সৎ কাম কৰিবলৈ ঈশ্বৰে আমাক খ্ৰীষ্ট যীচুত সৃষ্টি
কৰিলে। ১১ মনত ৰাখিব যে, মাংসত আপোনালোক অনা-ইহুদী লোক
আছিল; মাংসত হাতেৰে যি সকলৰ চুন্নৎ কৰা হৈছে অৰ্থাৎ যি সকলে
নিজকে চুন্নৎ কৰা লোক বুলি কয়, তেওঁলোকে আপোনালোকক অচুন্নৎ
লোক বুলি কয়। ১২ সেই সময়ত আপোনালোক খ্ৰীষ্টৰ পৰা পৃথক হৈ
আছিল; আপোনালোক ইস্রায়েলৰ নাগৰিক নাছিল; প্ৰতিজ্ঞাযুক্ত বিধান
সমূহৰ লগত আপোনালোকৰ কোনো সম্বন্ধ নাছিল; আপোনালোকৰ
আশা নাছিল; এই পৃথিৱীত আপোনালোক ঈশ্বৰবিহীন আছিল। ১৩
আগেয়ে আপোনালোক ঈশ্বৰৰ পৰা বহুত দূৰৈত আছিল, কিন্তু এতিয়া
খ্ৰীষ্ট যীচুত থকাৰ কাৰণে তেওঁৰ তেজৰ দ্বাৰাই ঈশ্বৰৰ ওচৰলৈ অনা
হ'ল। ১৪ তেৱেঁই আমাৰ শান্তি। কিয়নো তেওঁ ইহুদী আৰু অনা-ইহুদী
উভয়কে এক কৰিলে। খ্ৰীষ্টই ক্ৰুচত নিজৰ দেহ উৎসৰ্গ কৰি আমাৰ
পৰস্পৰৰ মাজৰ ঘৃণা আৰু শত্ৰুতাৰ প্ৰাচীৰ ভাঙি পেলালে। ১৫ খ্ৰীষ্ট
যীচুৱে সমস্ত আজ্ঞা আৰু বিধান লোপ কৰিলে, যাতে দুই দলৰ পৰা
তেওঁ এক নতুন লোকৰ সৃষ্টি কৰিব পাৰে আৰু তাৰ দ্বাৰাই শান্তি স্থাপন

হয়। ১৬ তেওঁলোকৰ মাজত থকা শক্ৰতাৰ অৱসান ঘটাই ক্ৰুচৰ দ্বাৰাই
উভয় পক্ষক এক দেহত ঈশ্বৰে সৈতে মিলন কৰিবৰ কাৰণে তেওঁ
এইদৰে কৰিলে। ১৭ এই বাবেই খ্ৰীষ্টই আহি আপোনালোক যি সকল
দূৰৈত আছিল, তেওঁলোকৰ আগতো শুভবাৰ্তা আৰু তেওঁৰ শান্তি
প্ৰচাৰ কৰিলে আৰু যি সকল ওচৰত আছিল তেওঁলোকৰ আগতো
শান্তি প্ৰচাৰ কৰিলে। ১৮ কিয়নো খ্ৰীষ্টৰ মাধ্যমেদি আমি উভয় পক্ষৰ
লোকে এক আত্মাৰে পিতৃৰ ওচৰলৈ যাবৰ বাবে অধিকাৰ পালোঁ। ১৯
হে অনা-ইহুদী সকল, আপোনালোক এতিয়াৰ পৰা পুনৰ অতিথি বা
বিদেশী নহয়; কিন্তু ঈশ্বৰৰ পবিত্ৰ লোকৰ সৈতে আপোনালোকো সহ-
নাগৰিক আৰু ঈশ্বৰৰ পৰিয়াল স্বৰূপ হৈছে। ২০ এইবোৰৰ ভিত্তিমূল
পাঁচনি আৰু ভাৱবাদী সকল; খ্ৰীষ্ট যীচু স্বয়ং সেই ভিত্তিমূলৰ চুকৰ
প্ৰধান শিল আৰু সেই ভিত্তিমূলৰ ওপৰতে আপোনালোক গঁথা হৈ
আছে। ২১ যীচুৰ শক্তিত ঈশ্বৰৰ পৰিয়ালৰ সকলো গাঁথনি একেলগে
সংলগ্ন হৈ, প্ৰভুৰ কাৰণে এক পবিত্ৰ গৃহ স্বৰূপে বৃদ্ধি পাইছে৷ ২২
তেওঁতেই আপোনালোক একেলগে গঁথা হৈ, আত্মাত ঈশ্বৰৰ এক
আবাস ৰূপে গঢ়ি উঠিছে।

৩ এই কাৰণে মই পৌল, আপোনালোক অনা-ইহুদী লোকৰ কাৰণে
খ্ৰীষ্ট যীচুৰ এজন বন্দী। ২ আপোনালোকে শুনিছে যে আপোনালোকৰ
কাৰণে ঈশ্বৰৰ অনুগ্ৰহৰ কাৰ্যৰ ভাৰ তেওঁ মোক দিলে। ৩ ঈশ্বৰে
তেওঁৰ সত্যৰ নিগূঢ়-তত্ব মোক জানিবলৈ দিলে। এই বিষয়ে মই
আপোনালোকলৈ আগেয়ে অলপ লিখিছিলো। ৪ আপোনালোকে
সেইবোৰ পঢ়িলে, খ্ৰীষ্ট সম্বন্ধীয় সত্যৰ এই নিগূঢ় তত্বত মোৰ অন্তৰ্দৃষ্টি
বুজিব পাৰিব। ৫ সেই নিগূঢ় তত্ব আত্মাৰ দ্বাৰা এতিয়া যিভাৱে তেওঁৰ
পবিত্ৰ ভাৱবাদী আৰু পাঁচনি সকলৰ ওচৰত প্ৰকাশ কৰা হ'ল, আগৰ
যুগৰ ব্যক্তি সকলৰ ওচৰত এই ভাবত জনোৱা হোৱা নাছিল। ৬
সেই নিগূঢ়-তত্ব এই- শুভবাৰ্তাৰ দ্বাৰাই অনা-ইহুদী সকল খ্ৰীষ্ট যীচুত
যুক্ত হৈ ইহুদী সকলৰ সৈতে সহ অধিকাৰী, এক শৰীৰৰ সদস্য আৰু
প্ৰতিজ্ঞাত সহভাগী হয়। ৭ ঈশ্বৰে নিজৰ পৰাক্ৰম কাৰ্য সাধন কৰি
মোক যি অনুগ্ৰহ দিলে, ঈশ্বৰৰ সেই বিশেষ অনুগ্ৰহ দানৰ ফলত

শুভবাৰ্তা প্ৰচাৰ কৰাৰ কাৰণে মই এজন দাস হ'লো। ৮ ঈশ্বৰৰ
পবিত্ৰ লোক সকলৰ মাজত মই অতি নগণ্যতকৈও নগণ্য; তথাপি
ঈশ্বৰে মোক এই বৰ দান কৰিলে, যাতে মই খ্ৰীষ্টত থকা ধাৰণাতীত
সম্পদৰ শুভবাৰ্তা অনা-ইহুদী সকলৰ ওচৰলৈ গৈ ঘোষণা কৰোঁ;
৯ আৰু সকলো বস্তুৰে সৃষ্টিকৰ্তা ঈশ্বৰৰ নিগূঢ় পৰিকল্পনাৰ কথা
সকলোকে জনাওঁ৷ এই নিগূঢ় সত্য পূৰ্ব কালৰে পৰা ঈশ্বৰৰ দ্বাৰা গুপ্ত
আছিল। (aiōn g165) ১০ ঈশ্বৰৰ ইচ্ছা এই যেন মণ্ডলীৰ যোগেদি স্বৰ্গীয়
স্থানবোৰত আধিপত্য আৰু ক্ষমতা প্ৰাপ্ত শাসনকৰ্তা সকলৰ ওচৰত
ঈশ্বৰৰ জ্ঞান জনোৱা হয়; ১১ তাতে তেওঁ আমাৰ খ্ৰীষ্ট যীচুত নিজৰ
অনন্ত কালৰ পৰিকল্পনা অনুসাৰে কাৰ্য কৰিলে। (aiōn g165) ১২ খ্ৰীষ্টত
বিশ্বাস কৰাৰ দ্বাৰাই আমি সাহস আৰু দৃঢ় প্ৰত্যয়েৰে সৈতে ঈশ্বৰৰ
সন্মুখলৈ আহিব ক্ষমতা পালোঁ। ১৩ গতিকে মোৰ নিবেদন এই যে,
আপোনালোকৰ কাৰণে মই ক্লেশ ভোগ কৰিছোঁ বাবে আপোনালোক
যেন নিৰুৎসাহ নহয়; সেই সকলোবোৰ আপোনালোকৰ গৌৰৱৰ
বাবেই হৈছে। ১৪ এই কাৰণে মই পিতৃৰ ওচৰত আঁঠু লৈছোঁ। ১৫ সেই
পিতৃৰ পৰাই স্বৰ্গত আৰু পৃথিৱীত থকা প্ৰত্যেক পৰিয়ালে নাম পাইছে;
তেওঁৰ পৰাই সকলো প্ৰাণীক সৃষ্টি কৰা হৈছে। ১৬ ঈশ্বৰে নিজৰ
প্ৰতাপৰ ধন অনুসাৰে এনে শক্তি আপোনালোকক দান কৰক যাতে,
তেওঁৰ আত্মাৰ দ্বাৰাই আপোনালোকৰ আন্তৰিক পুৰুষ শক্তিশালী হয়।
১৭ বিশ্বাসৰ দ্বাৰাই আপোনালোকৰ হৃদয়বোৰত খ্ৰীষ্ট নিবাস কৰক,
যাতে আপোনালোক তেওঁৰ প্ৰেমৰ ভিত্তিমূলত শিপা ধৰি সুদৃঢ় হয়।
১৮ তাতে আপোনালোক আৰু ঈশ্বৰৰ সকলো পবিত্ৰ লোক সকলে যেন
খ্ৰীষ্টৰ প্ৰেমৰ গভীৰতা, উচ্চতা, দৈৰ্ঘ্যতা আৰু বিস্তাৰতা বুজি পাব
পাৰে। ১৯ খ্ৰীষ্টৰ অদ্বিতীয় মহান প্ৰেম যেন আপোনালোকে উপলব্ধি
কৰিব পাৰে, তাতে ঈশ্বৰৰ সকলো পৰিপূৰ্ণতাৰে আপোনালোক পূৰ্ণ
হব। ২০ আমাৰ হৃদয়ত ঈশ্বৰৰ যি শক্তিয়ে কাৰ্য কৰে, তেওঁ সেই শক্তি
অনুসাৰে আমি যি যাচনা কৰোঁ বা চিন্তা কৰোঁ, তাতকৈও অধিক বেচি
কৰিব পাৰে। ২১ মণ্ডলীত আৰু খ্ৰীষ্ট যীচুত যুগে যুগে সদাসৰ্ব্বদায়
তেওঁৰেই মহিমা হওক। আমেন। (aiōn g165)

**4** এতেকে প্ৰভুত বন্দীয়াৰ যি মই; মই আপোনালোকক এই মিনতি
কৰোঁ যে, ঈশ্বৰে যি আমন্ত্ৰণেৰে আপোনালোকক আমন্ত্ৰিত কৰিলে; সেই
আমন্ত্ৰণৰ যোগ্য আচৰণ কৰি জীৱন-যাপন কৰক। ২ আপোনালোকে
সকলো সময়তে অতি নম্ৰভাৱে, মৃদুতাৰে আৰু সহিষ্ণুতাৰে প্ৰেমত
থাকি পৰস্পৰক গ্ৰহণ কৰক। ৩ শান্তিৰ বন্ধনত থাকি আত্মাৰ
ঐক্য ৰাখিবলৈ যত্নৱান হওক। ৪ শৰীৰ এক আৰু আত্মাও এক;
ঠিক সেইদৰে আপোনালোক সকলো এক আমন্ত্ৰণৰ আশাৰ কাৰণে
আমন্ত্ৰিত হ'লা ৫ এজনেই প্ৰভু, এক বিশ্বাস, এক বাপ্তিস্ম আৰু ৬
এজনেই ঈশ্বৰ, যি জন সকলোৰে পিতৃ; তেওঁ সকলোৰে ওপৰত,
সকলোতে ব্যাপ্ত আৰু সকলোৰে অন্তৰত আছে। ৭ খ্ৰীষ্টই যি পৰিমাণৰ
বৰ দান আমাৰ কাৰণে ৰাখিছে, সেই পৰিমাণ অনুসাৰে আমাক
প্ৰতিজনকে দান কৰিছে। ৮ শাস্ত্ৰত লিখাৰ দৰে, তেওঁ ওপৰলৈ উঠিল,
বন্দীয়াৰ সকলক বন্দী কৰি নিলে, আৰু লোক সকলক নানা বৰ দান
দিলে। ৯ যেতিয়া কোৱা হৈছে, "তেওঁ ওপৰলৈ উঠিল" ইয়াৰ অৰ্থ কি?
এই কথাত এইটোৱে বুজা নাযায় নে, যে তেওঁ পৃথিৱীৰ তল ভাগলৈও
নামিছিল? ১০ যি জন নামিছিল, তেওঁ সেই একেই ব্যক্তি; যি জনে
সকলো পূৰ্ণ কৰিবৰ কাৰণে আকাশতকৈ বহুত ওপৰলৈ উঠিল। ১১
সেই খ্ৰীষ্টই লোক সকলক এইৰূপে বৰ দান দিলে; কিছুমানক পাঁচনি,
কিছুমানক ভাৱবাদী, কিছুমানক শুভবাৰ্তা প্ৰচাৰক, কিছুমানক পালক
আৰু শিক্ষক হবলৈ ক্ষমতা দিলে। ১২ ঈশ্বৰৰ পবিত্ৰ লোক সকলক
প্ৰস্তুত কৰিবৰ বাবে পৰিচৰ্যাৰ কাৰ্য কৰিবলৈ আৰু খ্ৰীষ্টৰ শৰীৰ বৃদ্ধি
কৰিবলৈ তেওঁ এই সকলো বৰ দান দিলে। ১৩ যেতিয়ালৈকে আমি
সকলোৱে ঈশ্বৰৰ পুত্ৰ বিষয়ক বিশ্বাসৰ আৰু জ্ঞানৰ ঐক্যতাত এক
নহও আৰু সম্পূৰ্ণ সিদ্ধতা অৰ্থাৎ খ্ৰীষ্টৰ নিচিনাকৈ সম্পূৰ্ণ সিদ্ধ নহওঁ,
তেতিয়ালৈকে আমি কাৰ্য কৰি বৃদ্ধি পাই থাকিম। ১৪ তেতিয়া পুণৰ
আমি শিশুৰ নিচিনা হৈ নাথাকো। ভ্ৰান্তিজনক প্ৰৱঞ্চনাৰ ধূৰ্ততাত
মানুহৰ ছলনাৰ দ্বাৰা ভুল শিক্ষা পাই বতাহত ঢলং-পলং হৈ ইফালে
সিফালে নিয়া নহওঁ। ১৫ কিন্তু প্ৰেমৰ সৈতে সত্য কথা কম আৰু
সকলোভাৱে যি খ্ৰীষ্ট মূৰ স্বৰূপ, তেওঁৰ উদ্দেশ্যে সকলো বিষয়ত আমি

বৃদ্ধি পাম। ১৬ মানুহৰ শৰীৰৰ অঙ্গবোৰ যেনেদৰে একেলগে যুক্ত
হৈ থাকে আৰু সেইবোৰে কৰণীয় কাৰ্য সাধন কৰি গোটেই শৰীৰৰ
বৃদ্ধি কৰে, সেইদৰে খ্ৰীষ্টৰ পৰা উৎপন্ন হোৱা সকলো বিশ্বাসী, খ্ৰীষ্টৰ
শৰীৰত সংযুক্ত আৰু সংলগ্ন হৈ পৰস্পৰৰ সৈতে প্ৰেমত একত্ৰিত হৈ
বৃদ্ধি সাধন কৰে। কিয়নো শৰীৰৰ অঙ্গ-প্ৰত্যঙ্গ পৰস্পৰৰ ওপৰত
নিৰ্ভৰশীল। ১৭ এতেকে প্ৰভু যীচুৰ হৈ মই দৃঢ়ভাৱে কওঁ যে, বিশ্বাস
নকৰা অনা-ইহুদী লোক সকলৰ দৰে আপোনালোকে জীৱন-যাপন
নকৰিব। কিয়নো তেওঁলোকৰ মনৰ চিন্তা অসাৰ। ১৮ কিয়নো ভাল-
বেয়া বিষয়ত তেওঁলোকৰ হৃদয় অন্ধকাৰময় আছিল। তেওঁলোকে
হৃদয়েৰে কঠিনতাৰ কাৰণে তেওঁৰ বাৰ্তা শুনিবলৈ নিবিচাৰে আৰু সেই
বাবেই যীচুৱে আমাক দিয়া অনন্ত জীৱনৰ পৰা তেওঁলোক বঞ্চিত
হৈ থাকে। ১৯ তেওঁলোকৰ বিবেক অসাৰ হৈছে; তেওঁলোক সকলো
প্ৰকাৰৰ লোভত পৰি অশুচি কৰ্মবোৰত লিপ্ত হৈ কামনাৰ হাতত নিজক
শোধাই দিছে। ২০ কিন্তু আপোনালোক হলে খ্ৰীষ্টৰ বিষয়ে এইবোৰ
শিক্ষা পোৱা নাই; ২১ আপোনালোকে তেওঁৰ বিষয়ে শুনিছে আৰু যীচুত
থকা সত্যতাৰ বিষয়েও শিক্ষা পালে, ২২ আপোনালোকে প্ৰৱঞ্চনাপূৰ্ণ
অভিলাষত নষ্ট হোৱা পুৰাতন পুৰুষ অৰ্থাৎ পূৰ্বকালৰ জীৱন-যাপনৰ
বন্ধন সোলোকাই থবলৈ শিক্ষা পালে। ২৩ সেই শিক্ষা অনুসাৰে
আপোনালোক যেন নিজৰ নিজৰ মনৰ আত্মাত পুনৰায় নতুন হৈ উঠি,
২৪ সত্যতাৰ ধাৰ্মিকতা আৰু পবিত্ৰতাত ঈশ্বৰৰ প্ৰতিমূৰ্তিৰ দৰে সৃষ্ট
হোৱা নতুন পুৰুষক যেন পিন্ধিব পাৰে। ২৫ সেয়ে, আপোনালোকে মিছা
এৰি, প্ৰতিজনে নিজ নিজ ওচৰ চুবুৰীয়াই সৈতে সত্য আলাপ কৰক;
কিয়নো আমি ইজনে সিজনৰ অঙ্গ- প্ৰত্যঙ্গ হৈ আছোঁ। ২৬ ক্ৰুদ্ধ হৈ
তাৰ প্ৰভাৱত পাপ নকৰিব; বেলি মাৰ নৌ যাওঁতেই আপোনালোকৰ
কোপ শান্ত হওক; ২৭ আপোনালোকে চয়তানক সুযোগ নিদিব। ২৮
যি জনে চুৰ কৰে, তেওঁ পুনৰ চুৰ নকৰক; কিন্তু অভাৱত পৰা লোকক
দান কৰিবলৈ সমৰ্থ হবৰ কাৰণে, নিজ হাতেৰে সৎ ব্যৱসায়ত পৰিশ্ৰম
কৰক। ২৯ আপোনালোকৰ মুখৰ পৰা কোনো বেয়া কথা নোলাওক,
কিন্তু শুনা সকলক অনুগ্ৰহ দান কৰিবলৈ ভাল কথা কওক। ৩০ মুক্তি

দিনৰ অৰ্থে ঈশ্বৰৰ যি পবিত্ৰ আত্মাত আপোনালোকক মোহৰ মৰা হল, তেওঁক অসন্তুষ্ট নকৰিব। ৩১ সকলো কটুবাক্য, খং, ক্ৰোধ, দ্বন্দ-কাজিয়া, নিন্দা আটাই হিংসাৰে সৈতে এই সকলো আপোনালোকৰ পৰা দূৰ হওক। ৩২ পৰস্পৰৰ প্ৰতি স্নেহশীল হওক আৰু কোমল চিত্তৰ লোক হওক; ঈশ্বৰে আপোনালোকক যেনেকৈ খ্ৰীষ্টত ক্ষমা কৰিলে, তেনেকৈ আপোনালোকেও পৰস্পৰে ক্ষমা কৰক।

৫ এতেকে আপোনালোক ঈশ্বৰৰ প্ৰিয় সন্তান হিচাপে তেওঁৰ অনুকাৰী হওক। ২ খ্ৰীষ্টে যেনেকৈ আপোনালোকক প্ৰেম কৰিলে আৰু আমাৰ কাৰণে ঈশ্বৰৰ উদ্দেশ্যে সুগন্ধযুক্ত নৈবেদ্য আৰু বলি স্বৰূপে নিজকে শোধাই দিলে, তেনেকৈ আপোনালোকেও প্ৰেমৰ পথত চলক। ৩ আপোনালোকৰ মাজত যেন ব্যভিচাৰ আদি কোনো ধৰণৰ অনৈতিক বা অশুচি কৰ্ম আৰু লোভ নাথাকক; সেইবোৰৰ বিষয়ে কথা-বাৰ্তাও নহওক; ঈশ্বৰৰ পবিত্ৰ লোকৰ এয়ে উচিত; ৪ আপোনালোকৰ কথা-বাৰ্তা মাত্ৰ ধন্যবাদযুক্ত হওক। লজ্জাজনক অশ্লিলতা, নিৰ্বোধ বলকনি, নিম্নমানৰ ৰসিকতা আপোনালোকৰ মাজত নহওক। ৫ আপোনালোকে নিশ্চয়ে জানে যে, যি সকলে ব্যভিচাৰ কৰে বা যি সকল অশুচি আৰু লুভীয়া, যি সকলক মূৰ্তিপূজক বুলি কোৱা হয়, তেওঁলোকৰ কাৰণে খ্ৰীষ্টৰ আৰু ঈশ্বৰৰ ৰাজ্যত কোনো স্থান নাই। ৬ অনৰ্থক বাক্যৰ দ্বাৰা আপোনালোকক ভুলাবলৈ কাকো নিদিব; কিয়নো এইবোৰৰ কাৰণে অবাধ্যতাৰ সন্তান সকলৰ ওপৰলৈ ঈশ্বৰৰ ক্ৰোধ নামি আহে। ৭ গতিকে, আপোনালোক তেওঁলোকৰ সহভাগী নহব। ৮ কিয়নো পূৰ্বতে আপোনালোক যদিও আন্ধাৰত আছিল কিন্তু এতিয়া প্ৰভুত সংযুক্ত হৈ পোহৰত আছে। সেয়ে পোহৰৰ সন্তান সকলৰ দৰে জীৱন-যাপন কৰক। ৯ কাৰণ সকলো মঙ্গলভাৱ, ধাৰ্মিকতা আৰু সত্যতাই হৈছে পোহৰৰ ফল। ১০ ইয়াৰ দ্বাৰাই আপোনালোকে প্ৰভুৰ সন্তোষজনক কি, সেই বিষয়ে বিবেচনা কৰি নিৰ্ণয় কৰিব পাৰিব। ১১ আন্ধাৰৰ ফলহীন কাৰ্যবোৰৰ অংশীদাৰ নহব; বৰং সেইবোৰৰ দোষ দেখুৱাই দিয়ক; ১২ কিয়নো তেওঁলোকে গুপুতে যি যি কৰে, সেইবোৰ উচ্চাৰণ কৰিবলৈকো লাজৰ বিষয়। ১৩ পোহৰৰ দ্বাৰাই সকলো প্ৰকাশিত হয়

১৪ কিয়নো পোহৰতে সকলো স্পষ্ট হৈ পৰে। সেই বাবে কোৱা হৈছে:
“হে টোপনিওৱা জন সাৰ পোৱা আৰু মৃত লোক সকলৰ মাজৰ পৰা
উঠা; তাতে আপোনালোকৰ ওপৰত খ্ৰীষ্টই পোহৰ দিব।” ১৫ এতেকে
কিদৰে জীৱন-যাপন কৰিছে, তাৈলে সাৱধানে দৃষ্টি কৰক; অজ্ঞানৰ
দৰে নহয়, কিন্তু জ্ঞানীৰ দৰে চলক; ১৬ সুসময়ক কিনি লব; কিয়নো
এই কাল মন্দ। ১৭ এই হেতুকে আপোনালোক নিৰ্ব্বোধ নহব, কিন্তু
প্ৰভুৰ ইচ্ছা কি তাক জ্ঞাত হওক। ১৮ দ্ৰাক্ষাৰসেৰে মতলীয়া নহব;
কিয়নো তাত নষ্টামি আছে; কিন্তু পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হওক; ১৯
ধৰ্মগীত, স্তুতি-গীত আৰু আত্মিক গানেৰে আপোনালোকে পৰস্পৰে
আলোচনা কৰক আৰু প্ৰভুৰ উদ্দেশ্যে হৃদয়েৰে গান আৰু প্ৰসংশা
কৰক। ২০ সদায় আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ নামেৰে সকলো বিষয়ৰ
কাৰণে পিতৃ ঈশ্বৰৰ ধন্যবাদ কৰক। ২১ খ্ৰীষ্টৰ ভয়ত ইজনে সিজনৰ
বশীভূত হওক। ২২ হে ভাৰ্যা সকল, আপোনালোক যেনেকৈ প্ৰভুৰ,
তেনেকৈ নিজ নিজ স্বামীৰো বশীভূত হওক; ২৩ কিয়নো খ্ৰীষ্ট যেনেকৈ
মণ্ডলীৰ মূৰ আৰু নিজেই শৰীৰৰ ত্ৰাণকৰ্তা, তেনেকৈ স্বামীও ভাৰ্য্যাৰ
মূৰ স্বৰূপ হৈছে। ২৪ মণ্ডলী যেনেকৈ খ্ৰীষ্টৰ বশীভূত, তেনেকৈ সকলো
বিষয়ত ভাৰ্যা সকলো নিজ নিজ স্বামীৰ বশীভূত হওক। ২৫ হে পুৰুষ
সকল, খ্ৰীষ্টে যেনেকৈ মণ্ডলীক প্ৰেম কৰিলে আৰু তাৰ কাৰণে নিজকে
শোধাই দিলে, তেনেকৈ আপোনালোকেও নিজ নিজ ভাৰ্যাক প্ৰেম
কৰক; ২৬ মণ্ডলী যেন পবিত্ৰ হয়, তাৰ বাবে তেওঁ আমাক বাক্যৰূপ
জলস্নানত ধুই শুচি কৰিলে। ২৭ তেওঁ মণ্ডলীক পৰিষ্কাৰ কৰিলে যাতে
তেওঁ নিজৰ আগত মণ্ডলীক গৌৰৱময়, দাগ থকা বা শোটোৰা পৰা
আদি কৰি একো ঘূণ নথকা, পবিত্ৰ আৰু নিষ্কলঙ্কৰূপে উপস্থিত কৰিব
পাৰে। ২৮ সেইদৰে স্বামী সকলে নিজ নিজ ভাৰ্যাক, নিজ নিজ শৰীৰ
বুলি প্ৰেম কৰা উচিত। যি জনে নিজ ভাৰ্যাক প্ৰেম কৰে, তেওঁ নিজকেই
প্ৰেম কৰে। ২৯ কিয়নো কোনেও নিজৰ শৰীৰক কেতিয়াও ঘৃণা
নকৰে; কিন্তু পৰিপুষ্ট কৰি তাৰ যত্ন লয়। সেইদৰে খ্ৰীষ্টয়ো মণ্ডলীক
ভালপায়। ৩০ কাৰণ আমি তেওঁৰ শৰীৰৰ অঙ্গ-প্ৰত্যঙ্গ। ৩১ ‘এই
কাৰণে মানুহে নিজৰ পিতৃ-মাতৃক এৰি, নিজ তিৰোতাত আসক্ত হব

আৰু তাতে দুয়ো এক দেহ হব।’ ৩২ ই এক মহান গোপন সত্য, কিন্তু
মই আচলতে খ্ৰীষ্ট আৰু তেওঁৰ মণ্ডলীৰ বিষয়েহে কৈছোঁ। ৩৩ যি কি
নহওক, আপোনালোক প্ৰতিজনে নিজ নিজ ভাৰ্যাক নিজৰ নিচিনাকৈ
প্ৰেম কৰক আৰু ভাৰ্য্যায়ো উচিত মতে নিজৰ স্বামীক সন্মান কৰক।
৬ হে সন্তান সকল, তোমালোক পিতৃ-মাতৃৰ আজ্ঞাধীন হোৱা; কিয়নো
ঈশ্বৰৰ, দৃষ্টিত এয়ে উচিত। ২ “তোমালোকে নিজৰ পিতৃ-মাতৃক সন্মান
কৰা” এয়ে প্ৰতিজ্ঞাযুক্ত প্ৰথম আজ্ঞা। ৩ তেতিয়াহে তোমালোকৰ
কল্যাণ হব আৰু পৃথিৱীত দীৰ্ঘায়ুলৈ জীৱিত থাকিবা।” ৪ হে পিতৃ
সকল, আপোনালোকে নিজ নিজ সন্তান সকলৰ খং নোতোলোব;
কিন্তু প্ৰভুৰ শিক্ষা আৰু অনুশাসনত তেওঁলোকক প্ৰতিপালন কৰক। ৫
দাস সকল, তোমালোক যেনেকৈ খ্ৰীষ্টৰ, তেনেকৈ গভীৰ আন্তৰিক
শ্ৰদ্ধা আৰু কম্পনেৰে সৈতে নিজ নিজ জগতৰ প্ৰভু সকলৰ আজ্ঞাধীন
হোৱা; ৬ কেৱল চকু-চাকৰৰ দৰে মানুহৰ সন্তোষজনক নহৈ, বৰং
নিজকে খ্ৰীষ্টৰ দাস ৰূপে আন্তৰিকতাৰে ঈশ্বৰৰ ইচ্ছা পালন কৰি প্ৰভু
সকলৰ সেৱাকৰ্ম কৰা। ৭ তোমালোকে আনন্দ মনেৰে এনেদৰে
কাম কৰিবা যাতে মানুহক নহয় ঈশ্বৰহে সেৱা কৰিছা। ৮ মনত
ৰাখিবা, তোমালোক দাস বা স্বাধীন যিয়েই নহোৱা প্ৰতিজনে সকলো
সৎকৰ্ম্মৰ কাৰণে নিজে প্ৰভুৰ পৰা পুৰস্কাৰ পাবা। ৯ আপোনালোক
যি সকল প্ৰভু, আপোনালোকেও আপোনালোকৰ দাস সকলক সেই
একে ব্যৱহাৰ কৰক। তেওঁলোকক ভয় নেদেখুৱাই এৰি দিয়ক, কাৰণ
আপোনালোকে জানে যে স্বৰ্গত তেওঁলোক আৰু আপোনালোকৰ
একেই হব আৰু তেওঁত কোনো পক্ষপাত নাই। ১০ অৱশেষত, প্ৰভুত
আৰু তেওঁৰ শক্তিৰ পৰাক্ৰমত বলৱন্ত হওক। ১১ ঈশ্বৰৰ আটাই যুদ্ধৰ
সাজ পিন্ধি লওঁক যাতে চয়তানৰ নানা বিধ কৌশলৰ বিৰুদ্ধে থিয় হব
পাৰে। ১২ কিয়নো ৰক্ত আৰু মাংসৰ সৈতে আমাৰ মালযুদ্ধ হোৱা নাই;
কিন্তু আধিপত্য, ক্ষমতা, এই অন্ধকাৰ যুগৰ শাসনকৰ্তা, আৰু স্বৰ্গীয়
ঠাইবোৰৰ মন্দ শক্তিৰ দলবোৰৰ সৈতে হৈছে। **(aiōn g165)** ১৩ এই
হেতুকে, আপোনালোকে ঈশ্বৰৰ আটাই সাজ-পোছাক পিন্ধি লওঁক;
মন্দ দিনত চয়তানক প্ৰতিৰোধ কৰিবলৈ সমৰ্থ হবৰ কাৰণে সকলোকে

সিদ্ধ কৰি থিৰে থাকক। ১৪ এতেকে সত্যেৰে কঁকাল বান্ধি, ধাৰ্মিকতাৰ
বুকুবৰি পিন্ধি, ১৫ শান্তিৰ শুভবাৰ্তা ঘোষণাৰ কাৰণে প্ৰস্তুততাৰ ভৰিত
জোতা পিন্ধি থিৰে থাকক। ১৬ যিহেৰে আপোনালোকে সকলো পাপ
শক্তিৰ অগ্নিময় শৰ সমূহ নুমাব পাৰে, এনে বিশ্বাসৰ ঢাল লওঁক: ১৭
পৰিত্ৰাণ শিৰস্ত্ৰাণ আৰু আত্মাৰ তৰোৱালৰূপ ঈশ্বৰৰ বাক্য গ্ৰহণ কৰক।
১৮ সকলো প্ৰাৰ্থনা আৰু নিবেদনেৰে সকলো সময়তে আত্মাত প্ৰাৰ্থনা
কৰক; আৰু ইয়াৰ কাৰণে পৰ দি, ঈশ্বৰৰ সকলো পবিত্ৰ লোকৰ
কাৰণে সম্পূৰ্ণ ধৈৰ্য আৰু নিবেদনত লাগি থাকক। ১৯ মোৰ কাৰণেও
প্ৰাৰ্থনা কৰিব, যাতে শুভবাৰ্তাৰ নিগূঢ়-তত্ত্ব সাহসেৰে প্ৰচাৰ কৰিবলৈ
মই মুখ মেলিবৰ সময়ত উপযুক্ত কথা মোক দিয়া হয়৷ ২০ কিয়নো
মই শুভবাৰ্তাৰ কাৰণে শিকলিৰে বন্ধা হৈও এজন ৰাজদূতৰ কাম
কৰিছোঁ৷ প্ৰাৰ্থনা কৰিব, বন্দীশালতো যিভাৱে শুভবাৰ্তা কোৱা উচিত,
মই সেইভাৱে যেন সাহসেৰে কবলৈ পাৰিম৷ ২১ মই কেনে আছোঁ, কি
কৰিছোঁ, সেই বিষয়ে প্ৰিয় ভাই আৰু প্ৰভুৰ বিশ্বাসী সেৱক তুখিকৰ
পৰা সকলো জানিব পাৰিব৷ ২২ আপোনালোকে যেন আমাৰ বিষয়ে
জানিব পাৰে আৰু তেওঁ যেন আপোনালোকৰ হৃদয়ত আশ্বাস দিয়ে,
এই আশয়েৰেই মই তেওঁক আপোনালোকৰ ওচৰলৈ পঠালোঁ। ২৩
পিতৃ ঈশ্বৰ আৰু প্ৰভু যীচু খ্ৰীষ্টই ভাই সকলক শান্তি আৰু বিশ্বাস সহিত
প্ৰেম দান কৰক। ২৪ আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ প্ৰতি যি সকলে অক্ষয়
প্ৰেম কৰে, সেই সকলোৰে লগত অনুগ্ৰহ থাকক।

# ফিলিপীয়া

১ খ্ৰীষ্ট যীচুৰ দাস পৌল আৰু তীমথিয়, খ্ৰীষ্ট যীচুত থকা যি সকল
পবিত্ৰ লোক ফিলিপীত আছে তেখেত সকলৰ সৈতে তেখেত সকলৰ
অধ্যক্ষ আৰু পৰিচাৰক সকলৰ সমীপলৈ। ২ আমাৰ পিতৃ ঈশ্বৰ আৰু
প্ৰভু যীচু খ্ৰীষ্টৰ পৰা আপোনালোকলৈ অনুগ্ৰহ আৰু শান্তি হওক। ৩
মই আপোনালোকৰ প্ৰতিটো ভাৱেৰে মোৰ ঈশ্বৰৰ ধন্যবাদ কৰোঁ৷ ৪
প্ৰতিবাৰে মই আপোনালোকৰ বাবে প্ৰাৰ্থনা কৰোঁ, এয়া সদায় এটা
আনন্দৰ নিবেদন হয়৷ ৫ প্ৰথম দিনৰে পৰা এতিয়ালৈকে শুভবাৰ্তা
ঘোষণাৰ কাৰ্যত আপোনালোকৰ সহভাগিতা থকাৰ বাবে মই ধন্যবাদ
কৰোঁ৷ ৬ যি জনে আপোনালোকত সৎকৰ্ম আৰম্ভ কৰিলে, সেই জনে
যীচু খ্ৰীষ্টৰ আগমণৰ দিনলৈকে সিদ্ধ কৰি থাকিব বুলি দৃঢ় প্ৰত্যয়
কৰিলোঁ৷ ৭ আপোনালোক সকলোৰে বিষয়ে এনে ন্যায় ভাব ৰখা মোৰ
উচিত; কাৰণ আপোনালোক মোৰ হৃদয়ত আছে৷ কিয়নো মই বন্দী
অৱস্থাত থাকোতে আৰু শুভবাৰ্তাৰ পক্ষত উত্তৰ আৰু প্ৰমাণ দিয়া
কথাত যি অনুগ্ৰহ পালোঁ, তাৰে আপোনালোকো সহভাগী হৈছে। ৮
কাৰণ খ্ৰীষ্ট যীচুৰ স্নেহত মই আপোনালোকৰ কাৰণে কিমান হাবিয়াহ
কৰোঁ, সেই বিষয়ে ঈশ্বৰ মোৰ সাক্ষী আছে। ৯ আৰু মই প্ৰাৰ্থনা কৰি
আছোঁ যাতে আপোনালোকে প্ৰেম, জ্ঞান আৰু সকলো বিবেচনাত
অধিক অধিককৈ উপচি পৰে৷ ১০ মই প্ৰাৰ্থনা কৰোঁ, আপোনালোকে
যাতে যি যি শ্ৰেষ্ঠ, সেইবোৰ বিবেচনা কৰি, সেইদৰে নিৰ্ণয় কৰিব
পাৰে আৰু এইদৰে খ্ৰীষ্টৰ দিনৰ অপেক্ষাৰে নিৰ্দোষী আৰু নিৰ্বিঘ্ন
হওক৷ ১১ নিবেদন কৰোঁ, আপোনালোক যেন ঈশ্বৰৰ মহিমা আৰু
প্ৰশংসাৰ অৰ্থে, যীচু খ্ৰীষ্টৰ যোগেদি ধাৰ্মিকতাৰ ফলেৰে পৰিপূৰ্ণ হয়।
১২ এতিয়া হে ভাই সকল, আপোনালোকে এই কথা জানি লোৱাতো
মই ইচ্ছা কৰোঁ যে, মোলৈ যি যি ঘটিল, সেইবোৰ শুভবাৰ্তাৰ বাবে
বাধা হোৱাৰ বিপৰীতে বৃদ্ধিৰ অৰ্থেহে ঘটিল। ১৩ কাৰণ খ্ৰীষ্টত মোৰ
যি বন্ধন, সেয়ে গোটেই প্ৰিটৰিয়মত আৰু আন সকলোৰে আগত
প্ৰকাশিত হ'ল৷ ১৪ আৰু সেয়ে খ্ৰীষ্টত থকা ভাই সকলৰ অধিক ভাগে
মই বন্ধনত থকা অৱস্থাত প্ৰভুত দৃঢ় বিশ্বাস ৰাখিছে, আৰু ঈশ্বৰৰ

বাক্য নিৰ্ভয়ৰূপে ক'বলৈ অধিক সাহস কৰিছে। ১৫ কোনো কোনোৱে
ঈৰ্ষাৰে আৰু বিবাদেৰে আৰু কোনো কোনোৱে সদ্ভাৱেৰে খ্ৰীষ্টক ঘোষণা
কৰে৷ ১৬ এভাগে প্ৰেমৰ কাৰণে ঘোষণা কৰে, ইয়াৰ চিন স্বৰূপে মই
শুভবাৰ্তাৰ পক্ষত উত্তৰ দিবলৈ নিযুক্ত হৈছোঁ বুলি জানিছোঁ। ১৭ কিন্তু
কিছুমানে স্বাৰ্থপৰতাৰে আৰু আন্তৰিকতাহীন ভাৱে খ্ৰীষ্টক প্ৰচাৰ কৰে,
তেখেত সকলে শুদ্ধ ভাবেৰে নহয়, কিন্তু মোৰ বন্ধন ক্লেশযুক্ত কৰিবৰ
আশয়েৰেহে তাকে কৰে। ১৮ তাতেই বা কি হ'ল? কপটেৰেই হওক
বা সত্যেৰেই হওক, কোনো প্ৰকাৰে খ্ৰীষ্ট প্ৰচাৰিত হৈ আছে; ইয়াতে
মই আনন্দহে কৰিছোঁ, আৰু আনন্দ কৰি থাকিম। ১৯ কিয়নো মই
জানো যে, আপোনালোকৰ প্ৰাৰ্থনা আৰু যীচু খ্ৰীষ্টৰ আত্মাৰ উপকাৰৰ
যোগেদি মোৰ পৰিত্ৰাণৰ অৰ্থে, সেয়ে মোলৈ ঘটিব৷ ২০ এয়ে মোৰ
আকাংক্ষা আৰু আশা সিদ্ধ হ'ব যে, মই কোনোমতে লজ্জিত নহম৷
কিন্তু সাহসেৰে যেনেকৈ সদায়, তেনেকৈ এতিয়াও জীৱনৰ দ্বাৰাই
হওক বা মৰণৰ দ্বাৰায়েই হওক, মোৰ শৰীৰত খ্ৰীষ্ট মহিমান্বিত হ'ব।
২১ কিয়নো মোৰ পক্ষে জীয়াই থকা হৈছে খ্ৰীষ্ট, মৰাই হৈছে লাভ। ২২
কিন্তু মাংসত জীয়াই থকাই যদি মোৰ পক্ষে কৰ্মৰ ফল উৎপন্ন কৰোঁতা
হয়, তেনেহলে কোনটো মনোনীত কৰিম, সেই বিষয়ে মই নাজানো৷
২৩ কিন্তু মই এই দুটাৰ চেপাৰ মাজত সোমাই আছোঁ৷ ইয়াৰ পৰা গৈ,
খ্ৰীষ্টৰ লগত থাকিবলৈ মোৰ ইচ্ছা; কিয়নো সেয়ে অতি অধিক গুণে
উত্তম! ২৪ কিন্তু এতিয়া আপোনালোকৰ কাৰণে শৰীৰত জীৱিত থকাই
অধিক প্ৰয়োজন হৈছে। ২৫ আৰু ইয়াকে মই দৃঢ় প্ৰত্যয় কৰি থাকিম
বুলি জানিছোঁ; হয়, আৰু বিশ্বাসত আপোনালোকৰ বৃদ্ধি আৰু আনন্দ
হ'বৰ বাবে আপোনালোক সকলোৰে লগত থাকিবলৈ পাম৷ ২৬ মোৰ
বাবে আপোনালোকৰ শ্লাঘাৰ কাৰণ খ্ৰীষ্ট যীচুত উপচি পৰা উচিত,
যিহেতু মই আপোনালোকৰ সৈতে পুনৰাই উপস্থিত আছোঁ৷ ২৭ মই
যদি আপোনালোকক চাবলৈ যাওঁ, নাইবা অনুপস্থিতো থাকো, তথাপি
আপোনালোকে যে এক আত্মাৰে থিৰ হৈ আছে আৰু এক মনেৰে
শুভবাৰ্তাৰ সমন্ধীয় বিশ্বাসৰ পক্ষে প্ৰাণপণ কৰিছে, সেই বিষয়ে যেন
আপোনালোকৰ পৰা শুনিবলৈ পাম, ইয়াৰ বাবেই আপোনালোকে

খ্ৰীষ্টৰ শুভবাৰ্তাৰ যোগ্য জীৱন-যাপন কৰক, এয়ে মাত্ৰ মোৰ নিবেদন।
২৮ আপোনালোকৰ বিৰুদ্ধী সকলৰ বাবে কোনো বিষয়ত ত্ৰাসযুক্ত
নহ'ব; সেয়ে তেখেত সকলৰ অৰ্থে বিনাশ, কিন্তু আপোনালোকৰ
অৰ্থে ঈশ্বৰৰ পৰাই পৰিত্ৰাণৰ প্ৰমাণ হয়। ২৯ কিয়নো, খ্ৰীষ্টত কেৱল
বিশ্বাস কৰিবলৈ নহয়, কিন্তু খ্ৰীষ্টৰ কাৰণে দুখ ভোগ কৰিবলৈকো,
আপোনালোকক তেওঁৰ কাৰণে অনুগ্ৰহ দান কৰা হ'ল, ৩০ যিহেতু
আপোনালোকে আগেয়ে মোক যি ৰূপত যুদ্ধ কৰা দেখিলে, আৰু
এতিয়াও কৰি থকা শুনিছে, সেইদৰে আপোনালোকেও যুদ্ধ কৰক৷

২ এতেকে খ্ৰীষ্টত যদি কোনো আশ্বাস, প্ৰেমৰ যদি কোনো সান্ত্বনা,
আত্মাৰ যদি কোনো সহভাগিতা আৰু কোনো স্নেহ আৰু দয়া থাকে,
২ তেনেহলে আপোনালোকে একে বিষয় ভাবি, এক প্ৰেমৰ, এক
মনৰ আৰু এক ভাবৰ লোক হৈ মোৰ আনন্দ পৰিপূৰ্ণ কৰক৷ ৩
আপোনালোকে বিৰোধ বা অনৰ্থক দৰ্পেৰে একো নকৰিব; কিন্তু
নম্ৰভাবে প্ৰত্যেকে নিজতকৈ আনক উত্তম বুলি মান্য কৰক৷ ৪
প্ৰতিজনে নিজৰ বিষয়ে নহয়, কিন্তু আনৰ বিষয়ে ভাবক। ৫ খ্ৰীষ্ট
যীচুত যি ভাব, সেয়ে আপোনালোকৰ হওক, ৬ যি জনৰ অস্তিত্ব
ঈশ্বৰ-ৰূপী আছিল৷ তেওঁ ঈশ্বৰৰ সমান হলেও তাক কাঢ়ি লোৱা বুলি
নামানিলে৷ ৭ বৰং নিজকে শূণ্য কৰিলে৷ আৰু তেওঁ দাসৰ ৰূপ ধাৰণ
কৰিলে৷ তেওঁ মানুহৰ নিচিনা হৈ অৱতীৰ্ণ হ'ল৷ আৰু তেওঁ আকাৰ-
প্ৰকাৰত মানুহৰ দৰে হ'ল৷ ৮ তেওঁ নিজকে সৰু কৰি মৃত্যুলৈকে,
এনে কি ক্ৰুচীয় মৃত্যুলৈকে আজ্ঞাধীন হ'ল। ৯ এই কাৰণে ঈশ্বৰে
তেওঁক অতি ওখ পদ দিলে, আৰু সকলো নামতকৈ সেই শ্ৰেষ্ঠ নাম
তেওঁক দান কৰিলে, ১০ যাতে স্বৰ্গত, পৃথিৱীত আৰু পৃথিৱীৰ তলত
নিবাস কৰা সকলোৱে যীচুৰ নামত আঁঠু লয়৷ ১১ আৰু যীচু খ্ৰীষ্ট যে
প্ৰভু, ইয়াক যেন পিতৃ ঈশ্বৰৰ মহিমাৰ অৰ্থে সকলো জিভাই স্বীকাৰ
কৰে৷ ১২ এতেকে, হে মোৰ প্ৰিয় সকল, আপোনালোকে যেনেকৈ
সদায় আজ্ঞাধীন আছিল, তেনেকৈ মোৰ সাক্ষাতে যি ৰূপ, কেৱল
সেইদৰে নহয়, কিন্তু এতিয়া মোৰ অনুপস্থিতিতো অধিককৈ ভয়
আৰু কম্পনেৰে নিজ নিজ পৰিত্ৰাণ সম্পন্ন কৰক৷ ১৩ কিয়নো ঈশ্বৰে

নিজৰ হিত-সঙ্কল্পৰ কাৰণে আপোনালোকৰ অন্তৰত ইচ্ছা কৰোঁতা
আৰু কাৰ্য সাধন কৰোঁতা, এই উভয়ৰ সাধনকৰ্তা হৈছে। ১৪ বিবাদ
আৰু তৰ্ক-বিতৰ্ক নোহোৱাকৈ সকলো কৰ্ম কৰক; ১৫ যাতে ঈশ্বৰৰ
নিষ্কলঙ্ক সন্তান হ'বৰ কাৰণে, আপোনালোক যেন পবিত্ৰ, নিৰ্দ্দোষী
আৰু শুদ্ধ হয় আৰু জগতত যি কুটিল আৰু বিপথগামী লোক আছে,
তেখেত সকলৰ মাজত আপোনালোক দীপ্তি স্বৰূপ হওক৷ ১৬ জীৱনৰ
বাক্য ধাৰণ কৰক, এয়ে খ্ৰীষ্টৰ আগমণৰ দিনত মোৰ বাবে শ্লাঘাৰ
কাৰণ হ'ব; কিয়নো মই বৃথা দৌৰ মৰা নাই আৰু বৃথা পৰিশ্ৰমো কৰা
নাই। ১৭ কিন্তু আপোনালোকৰ বিশ্বাসৰূপ যজ্ঞত আৰু সেৱাৰ কাৰ্যত,
যদিওবা মই নৈবেদ্য স্বৰূপে ঢলা যাওঁ, তথাপি মই আনন্দ কৰোঁ;
আৰু আপোনালোক সকলোৰে সৈতে আনন্দ কৰোঁ। ১৮ এই বিষয়ে
আপোনালোকেও আনন্দ কৰক আৰু মোৰে সৈতে আনন্দ কৰক৷ ১৯
কিন্তু আপোনালোকৰ বিষয়ে জানিবলৈ পোৱাত মই যেন সন্তুষ্ট হ'ম,
এই কাৰণে সোনকালে আপোনালোকৰ তালৈ তীমথিয়ক পঠাবৰ বাবে
মই প্ৰভু যীচুত আশা কৰিছোঁ। ২০ কিয়নো আপোনালোকৰ বিষয়ে
সঁচাকৈ চিন্তা কৰিবলৈ তীমথিয়ৰ মনৰ দৰে আন লোক মোৰ কোনো
নাই। ২১ কাৰণ সকলোৱে যীচু খ্ৰীষ্টৰ বিষয়ে নহয়, নিজৰ বিষয়েহে
চেষ্টা কৰে। ২২ কিন্তু আপোনালোকে তীমথিয়ৰ পৰীক্ষাসিদ্ধ গুণৰ
বিষয়ে জানে, কাৰণ তেওঁ পিতৃৰ লগত পুত্ৰ যেনে, তেনেকৈ মোৰ
লগতো শুভবাৰ্তাৰ অৰ্থে সেৱাকৰ্ম কৰিলে৷ ২৩ এতেকে মোৰ কি ঘটিব,
সেই বিষয়ে জনা মাত্ৰকে তেওঁক পঠিয়াবৰ বাবে মই আশা কৰিছোঁ৷
২৪ কিন্তু মই নিজেও সোনকালে আপোনালোকৰ ওচৰলৈ যাম বুলি
প্ৰভুত বিশ্বাস কৰিছোঁ। ২৫ মোৰ অভাবত সেৱা শুশ্ৰূষা কৰোঁতা
আপোনালোকৰ পাঁচনি, অথচ মোৰ ভাই, সহকাৰী আৰু সহসেনা যি
ইপাফ্ৰদীত, তেখেতক আপোনালোকৰ তালৈ পঠিয়াবলৈ মই প্ৰয়োজন
দেখিলোঁ৷ ২৬ কিয়নো তেখেত নৰিয়াত পৰা বাৰ্তা আপোনালোকে
শুনিলে, তেওঁ আপোনালোকৰ কাৰণে অতিশয় হাবিয়াহ কৰিছিল আৰু
তেওঁ বৰ উদিগ্ন হৈছিল। ২৭ তেখেত নৰিয়াত পৰি মৃতপ্ৰায় হৈছিল
হয়, কিন্তু ঈশ্বৰে তেওঁলৈ দয়া কৰিলে৷ অকল তেওঁলৈ নহয়, কিন্তু মোৰ

দুখৰ ওপৰি দুখ যেন নঘটে, এই কাৰণে, মোলৈকো দয়া কৰিলে। ২৮
এতেকে আপোনালোকে তেওঁক পুনৰাই দেখি যেন আনন্দিত হয়
আৰু মোৰ শোকো যেন কম হয়, এই কাৰণে তেখেতক পঠিয়াবলৈ
ইচ্ছা কৰিলোঁ৷ ২৯ সম্পূৰ্ণ আনন্দেৰে আপোনালোকে প্ৰভুত থাকি
ইপাফ্ৰদীতক গ্ৰহণ কৰিব আৰু তেনেকুৱা মানুহক আদৰণীয় জ্ঞান
কৰিব, ৩০ কিয়নো মোৰ সেৱা শুশ্ৰূষাত আপোনালোকৰ যি যি ত্ৰুটি
আছিল, তাক সম্পূৰ্ণ কৰিবলৈ, তেখেত প্ৰাণপণ কৰি খ্ৰীষ্টৰ কাৰ্যৰ
কাৰণে মৃতপ্ৰায় হৈছিল।

৩ শেষতে, হে মোৰ ভাই সকল, প্ৰভুত আনন্দ কৰক। এই একে
কথাকে আপোনালোকলৈ লিখিবৰ বাবে মোৰ কোনো সমস্যা হোৱা
নাই আৰু সেইবোৰে আপোনালোকক নিৰাপদে ৰাখিব৷ ২ সেই
কুকুৰহঁতলৈ সাৱধানে থাকিব৷ সেই দুষ্কৰ্ম্মকাৰী সকলৰ প্ৰতি সাৱধান
হওক আৰু যি সকলে ছিন্ন-ভিন্ন কৰিব বিচাৰে, সিহঁতলৈকো সাৱধানে
থাকক। ৩ কিয়নো আমি হে প্ৰকৃততে চুন্নৎ হোৱা লোক৷ আমি ঈশ্বৰৰ
আত্মাৰে আৰাধনা কৰোঁ আৰু খ্ৰীষ্ট যীচুত গৌৰৱ কৰোঁ আৰু মাংসত
একো ভাৰসা নকৰোঁ। ৪ তথাপি মই হ'লে মাংসতো ভাৰসা কৰিলে
কৰিব পাৰোঁ৷ কোনোৱে যদি মাংসত ভাৰসা কৰিব পাৰে বুলি ভাবে,
তেনেহলে তাতকৈ মই অধিক ভাৰসা কৰিব পাৰোঁ। ৫ মই অষ্টম দিনত
চুন্নৎ হোৱা ইস্ৰায়েল জাতিৰ, বিন্যামীন ফৈদৰ, ইব্ৰী সকলৰ মাজৰ
এজন আৰু বিধানৰ সম্বন্ধে এজন ফৰীচী৷ ৬ মই উদ্যমেৰে মণ্ডলীৰ
তাড়নাকাৰী আৰু বিধানৰ ধাৰ্মিকতাৰ সম্বন্ধে নিৰ্দোষী আছিলোঁ৷ ৭
কিন্তু মোৰ পক্ষে যি যি লাভ আছিল, সেই সকলোকে খ্ৰীষ্টৰ কাৰণে
মই মূল্যহীন যেন মানিলো; ৮ মোৰ প্ৰভু খ্ৰীষ্ট যীচুৰ জ্ঞানৰ উত্তমতাৰ
কাৰণে, মই সকলোকে মূল্যহীন যেনহে মানিছো; আৰু তেওঁৰ কাৰণে
সকলোকে অগ্ৰাহ্য কৰিলোঁ, যাতে মই তেওঁক লাভ কৰিব পাৰোঁ৷
৯ আৰু এতিয়া মই তেওঁক বিচাৰি পালোঁ৷ মোৰ নিজ ধাৰ্মিকতা, বা
বিধানৰ পৰা পোৱা ধাৰ্মিকতাৰে ধাৰ্মিক নহয়; ইয়াৰ পৰিৱৰ্তে মই
খ্ৰীষ্টত বিশ্বাস কৰাৰ দ্বাৰাই ঈশ্বৰৰ পৰা পোৱা ধাৰ্মিকতাৰে, ধাৰ্মিক
হলোঁ৷ ১০ এই ধাৰ্মিকতা তেওঁক জনাৰ যোগেদি তেওঁৰ পুনৰুত্থানৰ

শক্তি আৰু তেওঁৰ দুখভোগৰ সহভাগিতাত মই খ্ৰীষ্টৰ মৃত্যুৰ সমৰূপ
হৈ তেওঁৰ দ্বাৰাই ৰূপান্তৰিত হৈছোঁ; ১১ যাতে কোনো প্ৰকাৰে মৃত
লোকৰ পুনৰুত্থানৰ ভাগী হ'ব পাৰোঁ৷ ১২ মই এইবোৰ এতিয়ালৈ গ্ৰহণ
কৰিব পৰা নাই, সেই বাবে মই এতিয়াও সিদ্ধ হোৱা নাই; কিন্তু যি
কাৰণত খ্ৰীষ্ট যীচুৰ দ্বাৰাই মোক নিয়ন্ত্ৰণ কৰা হ'ল, মই যেন কোনো
প্ৰকাৰে সেইবোৰক মোৰ অধীনত কৰিব পাৰোঁ, তাৰ বাবে মই চলি
আছোঁ। ১৩ হে ভাই সকল, মই যে সেয়া মোৰ অধীনত কৰিলোঁ, সেই
বিষয়ে এনে ভাব এতিয়ালৈকে কৰা নাই; কিন্তু মই এই কাম কৰোঁ:
পাছত থকা সকলোকে পাহৰি, আগত থকা বোৰলৈহে যত্ন কৰোঁ৷ ১৪
খ্ৰীষ্ট যীচুত ঈশ্বৰে কৰা স্বৰ্গীয় আমন্ত্ৰণৰ বটাৰ অৰ্থে ঘাইকৈ আগবাঢ়ি
গৈ আছোঁ। ১৫ এতেকে আমি যিমান সিদ্ধ লোক আছোঁ, সকলোৱে
সেইৰূপে ভাবক আৰু যদি কোনো বিষয়ত আপোনালোকৰ অন্য ভাব
থাকে, তেনেহলে ঈশ্বৰে সেই বিষয়ে আপোনালোকলৈ প্ৰকাশ কৰিব।
১৬ যি কাৰণতেই হওক, আমি যি পথত এইখিনি পালন কৰোঁ, তাতেই
যেন অনুসৰণ কৰি চলোঁ। ১৭ হে ভাই সকল, আপোনালোকেও মোৰ
অনুকাৰী হওক আৰু আপোনালোকৰ আৰ্হি স্বৰূপ যি আমি, আৰু আমাৰ
দৰে যি সকলে জীৱন-যাপন কৰে, তেখেত সকলক অনুসৰণ কৰক।
১৮ মই আপোনালোকক বাৰে বাৰে কৈছোঁ, এতিয়াও চকুলো তুকিয়েই
কওঁ, আপোনালোকৰ অনেকে জীয়াই থাকিও, খ্ৰীষ্টৰ ক্ৰুচৰ শত্ৰু হৈ
আছে; ১৯ তেখেত সকলৰ শেষগতি সৰ্ব্বনাশ, পেটেই তেখেত সকলৰ
ঈশ্বৰ, নিজ নিজ লাজত তেখেত সকলৰ গৌৰৱ আছে, তেখেত সকলে
পাৰ্থিৱ বিষয়বোৰৰ বিষয়ে ভাবি থাকে। ২০ কিয়নো আমি যি ৰাজ্যৰ
মানুহ, সেই ৰাজ্য স্বৰ্গত আছে, আৰু স্বৰ্গৰ পৰাই আহিব বুলি আমাৰ
ত্ৰাণকৰ্তা প্ৰভু যীচু খ্ৰীষ্টলৈ অপেক্ষা কৰি আছোঁ; ২১ তেওঁ যি কাৰ্যসাধক
গুণেৰে সকলোকে বশীভূত কৰিব পাৰে, তেনেদৰেই তেওঁ আমাৰ এই
নীহ অৱস্থাৰ শৰীৰক ৰূপান্তৰ কৰি, তেওঁৰ প্ৰতাপৰ শৰীৰৰ সমৰূপ
কৰিব।

**4** এতেকে, হে মোৰ প্ৰিয় আৰু ইষ্ট ভাই সকল, আপোনালোকেই
মোৰ আনন্দ আৰু কিৰীটি স্বৰূপ; প্ৰেমৰ বন্ধু সকল, এনেদৰেই প্ৰভুত

আপোনালোকে স্থিৰে থাকক৷ ২ মই ইবদিয়া আৰু চুন্তুখীক বিনয়
কৰি আছোঁ, প্ৰভুত তেওঁলোক যেন এক মনৰ হয়। ৩ প্ৰকৃততে,
মই আপোনালোককো নিবেদন কৰোঁ, হে মোৰ সৎ বন্ধু সকল,
আপোনালোকে সেই ভনী দুজনীক সহায় কৰক; কিয়নো তেখেত
সকলে ক্লীমেন্ত আৰু মোৰ সহকাৰী সকলৰ সৈতে শুভবাৰ্তাৰ বাবে মোৰ
সহিত প্ৰাণপণ কৰিছিল; আৰু এই লোক সকলৰ নাম জীৱন পুস্তকত
লিখা আছে৷ ৪ আপোনালোকে প্ৰভুত সদায় আনন্দ কৰক; পুনৰায়
কওঁ, আনন্দ কৰক। ৫ আপোনালোকৰ ক্ষান্ত স্বভাৱ সকলো মানুহে
জানক। প্ৰভু অহাৰ সময় ওচৰ। ৬ আপোনালোকে একোলৈ চিন্তা
নকৰিব, কিন্তু সকলো বিষয়তে আপোনালোকৰ যাচনা, ধন্যবাদযুক্ত
প্ৰাৰ্থনা আৰু নিবেদনেৰে সৈতে ঈশ্বৰৰ আগত জনোৱা হওক। ৭
তাতে সকলো বুদ্ধিতকৈ উত্তম, যি ঈশ্বৰৰ শান্তি, সেয়ে খ্ৰীষ্ট যীচুত
আপোনালোকৰ হৃদয় আৰু ভাবনাক পহৰা দিব। ৮ শেষতে, হে ভাই
সকল, যি যি সত্য, আদৰণীয়, ন্যায়, শুদ্ধ, প্ৰেমময়, আৰু সুখ্যাতিযুক্ত
যি কোনো সদগুণ আৰু যি কোনো প্ৰশংসাযুক্ত, সেইবোৰ বিষয়
আলোচনা কৰক। ৯ আপোনালোকে যি যি শিকিলে, গ্ৰহণ কৰিলে,
শুনিলে আৰু মোক যেনে দেখিলে, তেনেদৰে সকলোৱে আচৰণ কৰক;
তাতে শান্তিৰ আঁকৰ ঈশ্বৰ আপোনালোকৰ লগত থাকিব। ১০ মই
প্ৰভুত অতিশয় আনন্দিত, কাৰণ মোৰ উপকাৰৰ অৰ্থে আপোনালোকৰ
চিন্তা শেষত পুনৰজীৱিত হ’ল৷ যদিও আপোনালোকে আগতে চিন্তা
কৰিছিল, কিন্তু তেতিয়া সহায় কৰিবলৈ কোনো সুবিধা পোৱা নাছিল।
১১ নাটনিৰ বিষয়ে মই যে এই কথা কৈছোঁ, এনে নহয়; কিয়নো মই
সকলো ধৰণৰ অৱস্থাতে সন্তুষ্ট হৈ থাকিবলৈ শিকিলোঁ। ১২ মই অভাৱৰ
সময়ত থাকিবলৈ জানো আৰু প্ৰাচুৰ্যতাৰ সময়টো থাকিবলৈ জানো;
সকলো বিষয়তে মই তৃপ্ত হ’বলৈ আৰু ক্ষুধিত হ’বলৈ, উপচয় ভোগ
কৰিবলৈ আৰু অভাৱত থাকিবলৈ শিক্ষিত হ’লোঁ। ১৩ মই খ্ৰীষ্টৰ দ্বাৰাই
সকলো কাম সিদ্ধ কৰিব পাৰোঁ, কিয়নো তেওঁ মোক বলৱান কৰে। ১৪
তথাপি আপোনালোক যে, মোৰ ক্লেশত সহভাগী হ’ল, সেই বিষয়ে বৰ
ভাল কৰিলে। ১৫ হে ফিলিপীয়া সকল, আপোনালোকে নিজেও জানে

যে শুভবাৰ্তা প্ৰচাৰ কৰাৰ আৰম্ভণিতে যেতিয়া মই মাকিদনিয়াৰ পৰা
প্ৰস্থান কৰিছিলোঁ, তেতিয়া কোনো মণ্ডলীয়ে দান দিয়া বা দান লোৱাৰ
কথাত, মোৰ সহভাগী নহ'ল; কেৱল আপোনালোকেহে হৈছিল; ১৬
এনে কি, মই থিচলনীকীত থাকোঁতেও, আপোনালোকে এবাৰতকৈ
বেছি মোৰ প্ৰয়োজনীয় উপকাৰ পঠিয়াইছিল। ১৭ মই যে দান
বিচাৰিছোঁ, সেয়ে নহয়, কিন্তু আপোনালোকৰ হিচাবত বহু লাভজনক
ফল দেখিবলৈহে বিচাৰিছোঁ। ১৮ সকলো বিষয়তে মোৰ প্ৰচুৰতা
আছে৷ মই সম্পূৰ্ণ হ'লো৷ মই ইপাফ্ৰদীতৰ দ্বাৰাই আপোনালোকৰ পৰা
উপহাৰবোৰ পালোঁ, সেয়া সুগন্ধৰ আঘ্ৰাণ স্বৰূপ আৰু ঈশ্বৰৰ গ্ৰাহ্য
আৰু সন্তোষজনক যজ্ঞ স্বৰূপ৷ ১৯ আৰু মোৰ ঈশ্বৰে আপোনালোকৰ
সকলো অভাৱ, প্ৰতাপেৰে নিজ ধন অনুসাৰে খ্ৰীষ্ট যীচুত পূৰ্ণ কৰিব।
২০ এতিয়া আমাৰ পিতৃ ঈশ্বৰৰ মহিমা চিৰকাল হওক। আমেন। **(aiōn
g165)** ২১ খ্ৰীষ্ট যীচুত থকা সকলো পবিত্ৰ লোকক মঙ্গলবাদ দিব। মোৰ
লগৰ ভাই সকলে আপোনালোকক মঙ্গলবাদ কৰিছে। ২২ সকলো
পবিত্ৰ লোকে, বিশেষকৈ চীজাৰৰ ঘৰৰ লোক সকলে আপোনালোকক
মঙ্গলবাদ কৰিছে। ২৩ প্ৰভু যীচু খ্ৰীষ্টৰ অনুগ্ৰহ আপোনালোকৰ আত্মাৰ
লগত থাকক।

# কলচীয়া

**১** ঈশ্বৰৰ ইচ্ছাৰ দ্বাৰাই খ্ৰীষ্ট যীচুৰ নিযুক্ত পাঁচনি পৌল আৰু তীমথিয়
ভাই, ২ কলচীত থকা খ্ৰীষ্টত বিশ্বাসী ভাই আৰু পবিত্ৰ লোক সকলৰ
সমীপলৈ। আমাৰ পিতৃ ঈশ্বৰৰ পৰা আপোনালোকলৈ অনুগ্ৰহ আৰু
শান্তি হওক। ৩ আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ পিতৃ ঈশ্বৰক ধন্যবাদ জনায়
আপোনালোকৰ কাৰণে সদায় আমি প্ৰাৰ্থনা কৰি আছোঁ৷ ৪ আমি
শুনিবলৈ পালোঁ যে, খ্ৰীষ্ট যীচুত আপোনালোকৰ যি বিশ্বাস আৰু ঈশ্বৰৰ
কাৰণে পৃথক কৰি ৰখা পবিত্ৰ লোক সকলৰ প্ৰতি যি প্ৰেম আছে, ৫
সেইদৰে আপোনালোকৰ কাৰণেও আশা-ধনৰ বিষয় স্বৰ্গত সাঁচি থোৱা
হৈছে৷ আপোনালোকৰ মাজত উপস্থিত হোৱা শুভবাৰ্তাৰূপ সত্যতাৰ
বাক্য প্ৰথমে শুনিলে; ৬ আৰু যিদিনা আপোনালোকে সত্যৰূপে ঈশ্বৰৰ
অনুগ্ৰহৰ কথা শুনিলে আৰু জানিলে, সেই দিনাৰ পৰাই সেই শুভবাৰ্তা
আপোনালোকৰ মাজত যেনেকৈ, গোটেই জগততো তেনেকৈ উপস্থিত
হৈ ফল ধৰি বাঢ়ি আছে৷ ৭ সেইবোৰ আপোনালোকে আমাৰ প্ৰিয়
সহদাস ইপাফ্ৰাৰ পৰাই শিকিলে; তেখেত আমাৰ কাৰণে খ্ৰীষ্টৰ
বিশ্বাসী পৰিচাৰক; ৮ আৰু পবিত্ৰ আত্মাৰ গুণত আপোনালোকৰ
যি প্ৰেম আছে, তাক তেখেতেই আমাৰ আগত প্ৰকাশ কৰিলে৷ ৯
এই কাৰণে সেই কথা শুনা দিনৰে পৰা, আমি আপোনালোকৰ বাবে
প্ৰাৰ্থনা কৰিবলৈ নেৰিলো, আপোনালোক সকলোৱে আত্মিক জ্ঞান
আৰু বুদ্ধিৰ সম্বন্ধে ঈশ্বৰৰ ইচ্ছা বিষয়ক তত্ব-জ্ঞানেৰে পৰিপূৰ্ণ হওক৷
১০ আমি এনে ধৰণে প্ৰাৰ্থনা কৰি আছোঁ যাতে, সকলো ভাবে সন্তুষ্ট
কৰিবৰ অৰ্থে আপোনালোকে যেন প্ৰভুত যোগ্যৰূপে জীৱন-যাপন
কৰে আৰু তেওঁৰ সেই তত্ব-জ্ঞানত বাঢ়ি সকলো সৎকৰ্মত ফলৱন্ত
হয়৷ ১১ আমি নিবেদন কৰোঁ যে, আপোনালোকে যেন সম্পূৰ্ণ সহন
আৰু চিৰসহিষ্ণুতাৰ অৰ্থে, তেওঁৰ প্ৰতাপৰ পৰাক্ৰম অনুসাৰে সকলো
শক্তিৰে শক্তিৱন্ত হয়৷ ১২ আমি নিবেদন কৰোঁ আৰু আনন্দেৰে সৈতে
তেওঁৰ ধন্যবাদ কৰোঁ, কাৰণ পিতৃয়ে আমাক পবিত্ৰ লোক সকলৰ যি
অধিকাৰ পোহৰত আছে, সেই অধিকাৰৰ অংশীদাৰ হ’বলৈ যোগ্য
কৰিলে৷ ১৩ তেৰেঁই আমাক আন্ধাৰৰ পৰাক্ৰমৰ পৰা উদ্ধাৰ কৰি নিজ

প্ৰেমৰ পুত্ৰৰ ৰাজ্যত স্থানান্তৰ কৰি থ'লে৷ ১৪ তেওঁৰ সেই পুত্ৰত আমাৰ
মুক্তি, পাপৰ ক্ষমা আছে। ১৫ সেই পুত্ৰ অদৃশ্য ঈশ্বৰৰ প্ৰতিমূৰ্তি৷ তেওঁ
গোটেই সৃষ্টিৰ প্ৰথমজাত; ১৬ কিয়নো যি যি স্বৰ্গত আৰু পৃথিৱীত,
দৃশ্য আৰু অদৃশ্য বস্তু আছে, সেই সকলোবোৰ তেওঁতেই সৃষ্ট হ'ল৷
সিংহাসন হওক বা প্ৰভুত্ব হওক, আধিপত্য হওক বা ক্ষমতা হওক,
এই সকলোবোৰ তেওঁৰ দ্বাৰাই আৰু তেওঁৰ কাৰণে সৃষ্টি কৰা হ'ল৷
১৭ তেওঁ সকলোৰে পূৰ্বৰ পৰা আছে আৰু সকলোবোৰ তেওঁৰেই
নিয়ন্ত্ৰণত আছে৷ ১৮ তেৱেঁই হৈছে, তেওঁৰ শৰীৰ স্বৰূপ মণ্ডলীৰ মূৰ৷
তেৱেঁই প্ৰাথমিক প্ৰাধিকাৰী, তেওঁ আদি আৰু মৃত লোকৰ মাজৰ পৰা
প্ৰথমজাত এই কাৰণে সকলো বিষয়তে তেওঁ অগ্ৰগণ্য হয়। ১৯ সেই
কাৰণে ঈশ্বৰে আনন্দেৰে সিদ্ধান্ত ল'লে যে, তেওঁত সকলো সম্পূৰ্ণতা
বাস কৰা উচিত; ২০ আৰু তেওঁৰ দ্বাৰাই সকলোবোৰ তেওঁৰে সৈতে
মিলন সাধন কৰিলে৷ পৃথিৱীত থকা হওক বা স্বৰ্গত থকা হওক, তেওঁৰ
ক্ৰুচৰ পুত্ৰৰ তেজৰ দ্বাৰাই শান্তি স্থাপন কৰিবলৈ ঈশ্বৰে সকলোতে
ভাল দেখিলে। ২১ আপোনালোকেও পূৰ্বতে ঈশ্বৰৰ পৰা অসম্পৰ্কীয়
আৰু দুষ্কৰ্মত থাকি মনেৰে শত্ৰু হোৱা লোক আছিল৷ ২২ তথাপি ঈশ্বৰে
তেওঁৰ দৃষ্টিত আপোনালোকক পবিত্ৰ, নিষ্কলঙ্ক আৰু নিৰ্দোষীৰূপে
উপস্থিত কৰিবৰ বাবে খ্ৰীষ্টৰ মাংসময় শৰীৰত মৃত্যুৰ দ্বাৰাই এতিয়া
মিলন সাধন কৰিলে৷ ২৩ আপোনালোকে যি শুভবাৰ্তা শুনিছে, তাতে
যদি বিশ্বাস কৰি স্থিৰে থাকে আৰু শুভবাৰ্তাৰ পৰা উৎপন্ন হোৱা যি
আশা আপোনালোকে পালে, সেই আশাৰ মূলৰ পৰা যদি আতৰি
নাযায়, তেনেহলে খ্ৰীষ্টে সকলোবোৰ সম্পন্ন কৰিব আৰু স্বৰ্গৰ তলত
থকা সকলো সৃষ্টিৰ মাজত সেই একে শুভবাৰ্তা প্ৰচাৰিত হৈ আছে;
মই পৌল, এই শুভবাৰ্তাৰ এজন দাস৷ ২৪ এতিয়া আপোনালোকৰ
কাৰণে মোৰ যি দুখভোগ, তাতেই মই আনন্দ কৰিছোঁ, আৰু খ্ৰীষ্টৰ
নানা ক্লেশৰ যি অৱশিষ্টখিনি অপূৰ্ণ হৈ আছে, সেই খিনি মই তেওঁৰ
শৰীৰ স্বৰূপ মণ্ডলীৰ কাৰণে মোৰ মাংসত পূৰ্ণ কৰিছোঁ। ২৫ সেই
বাক্য সম্পূৰ্ণকৈ প্ৰচাৰ কৰিবলৈ, আপোনালোকৰ কাৰণে ঈশ্বৰে মোক
দিয়া ঘৰগিৰীবাব অনুসাৰে মই সেই মণ্ডলীৰ পৰিচাৰক হৈছোঁ৷ ২৬

সেই নিগূঢ়-তত্ত্ব যুগে যুগে আৰু পুৰুষে পুৰুষে গুপ্ত আছিল, কিন্তু এতিয়া
তেওঁৰ পবিত্ৰ লোকৰ আগত প্ৰকাশিত হৈছে; (aiōn g165) ২৭ ঈশ্বৰে
তেওঁৰ মূল্যবান মহিমাময় নিগূঢ় তত্ত্ব অনা-ইহুদী সকলৰ ওচৰত
প্ৰকাশ কৰিবলৈ মনস্থ কৰিলে, সেই নিগূঢ় তত্ত্ব সকলো লোকৰ কাৰণে;
আৰু সেই নিগূঢ় তত্ত্ব হ'ল স্বয়ং খ্ৰীষ্ট, যি জন আপোনালোকৰ মাজত
আছে৷ তেৰেঁই আমাৰ গৌৰৱৰ আশা৷ ২৮ সেই জন তেৰেঁই, যি জনৰ
বিষয়ে আমি প্ৰচাৰ কৰি আছোঁ৷ আমি প্ৰত্যেক জনকে সতৰ্ক কৰোঁ
আৰু সকলো প্ৰজ্ঞাৰে প্ৰতিজনক শিক্ষা দি খ্ৰীষ্টক প্ৰচাৰ কৰোঁ যাতে
খ্ৰীষ্টে সকলোকে ঈশ্বৰৰ ওচৰত সিদ্ধ লোক ৰূপে উপস্থিত কৰিব পাৰে৷
২৯ তেওঁৰ কাৰ্যসাধক শক্তিয়ে মোৰ জীৱনত পৰাক্ৰমেৰে কাৰ্য সাধন
কৰি আছে, সেই শক্তি অনুসাৰে তেওঁৰ কাৰণে প্ৰাণপণ কৰি মই
পৰিশ্ৰমো কৰি আছোঁ।

২ আপোনালোকক সহায় কৰাৰ কাৰণে মই কিমান কঠোৰ প্ৰতিকুল
অৱস্থাৰ মূখা-মূখি হৈছোঁ, সেই বিষয়ে আপোনালোকে জনাটো মই
বিচাৰোঁ৷ যি সকল লায়দিকেয়াত আছে আৰু যিমান মানুহে মোৰ
মাংসময় মুখ দেখা নাই, সেই সকলৰ বাবেও মোৰ যুজ হৈ আছে৷ ২
মই বিচাৰোঁ তেখেত সকলৰ হৃদয়ে যেন আশ্বাস পায় আৰু তেখেত
সকলে প্ৰেমত সংযুক্ত হৈ সম্পূৰ্ণ নিশ্চয়তাযুক্ত বুদ্ধিৰূপ সকলো ধনত
ধনী হ'বৰ বাবে যেন ঈশ্বৰৰ নিগূঢ়-তত্ত্ব জানে, সেই নিগূঢ় তত্ত্বই হ'ল,
খ্ৰীষ্ট৷ ৩ সেই খ্ৰীষ্টতেই জ্ঞান আৰু বিদ্যাৰ সকলো ধন গুপ্ত আছে।
৪ কোনেও যেন আপোনালোকক প্ৰলোভন-বাক্যেৰে নুভুলায়, এই
কাৰণে মই এইবোৰ কথা কৈছোঁ। ৫ আৰু মই শাৰীৰিক ভাবে উপস্থিত
নাথাকিলেও, আত্মাৰে আপোনালোকৰ লগত আছোঁ; আৰু আনন্দ
কৰি আপোনালোকৰ সু-ৰীতি আৰু খ্ৰীষ্টত আপোনালোকৰ বিশ্বাসৰ
যি অলৰতা, সেয়া চাই আছোঁ। ৬ এতেকে আপোনালোকে খ্ৰীষ্ট
যীচুক যেনেকৈ গ্ৰহণ কৰিলে, তেনেকৈ তেওঁতেই জীৱন-যাপন কৰক৷
৭ তেওঁতেই দৃঢ় ৰূপে শিপা ধৰি, তেওঁত গঁথা হৈ, যেনেকৈ শিক্ষা
পাইছিল, তেনেকৈ বিশ্বাসত স্থিৰ হৈ থাকক, আৰু ধন্যবাদত উপচি
পৰক। ৮ কোনোৱে যেন আপোনালোকক দৰ্শন-বিদ্যা আৰু প্ৰবঞ্চনাৰ

দ্বাৰাই বন্দী কৰি নিনিয়ে, এই কাৰণে সাৱধান হব; সেইবোৰ মানুহ পুৰুষে পুৰুষে চলাই অহা বিধান আৰু জগতৰ প্ৰাথমিক বিধিৰ অনুৰূপ, খ্ৰীষ্টৰ অনুৰূপ নহয়। ৯ কিয়নো তেওঁত ঈশ্বৰত্বৰ সকলো সম্পূৰ্ণতা শাৰীৰিক ৰূপে নিবাস কৰে। ১০ যি জন সকলো আধিপত্য আৰু ক্ষমতাৰ মূৰ, তেওঁতেই আপোনালোক সম্পূৰ্ণৰূপে পূৰ্ণ হৈ আছে৷ ১১ তেওঁতেই আপোনালোক বিনাহাতে কৰা চুন্নৎ, মাংসময় শৰীৰ বস্ত্ৰ স্বৰূপে সোলোকাই পোলোৱাৰ দ্বাৰাই আপোনালোকে খ্ৰীষ্টৰ চুন্নতেৰে চুন্নৎ হ'ল৷ ১২ বাপ্তিস্মত আপোনালোক তেওঁৰ সৈতে মৈদামত থোৱা হ'ল আৰু ঈশ্বৰৰ কাৰ্য সাধন শক্তিত বিশ্বাস কৰাৰ দ্বাৰাই তেওঁৰ সৈতে তোলাও হ'ল। ১৩ আৰু আপোনালোকে যেতিয়া অপৰাধত আৰু মাংসৰ অচুন্নতত মৃত আছিল, তেতিয়া ঈশ্বৰে তেওঁৰ সৈতে আপোনালোকক জীয়ালে আৰু বাস্তৱিক তেওঁ আমাৰ সকলো অপৰাধ ক্ষমা কৰিলে৷ ১৪ আমাৰ বিৰুদ্ধে ধাৰৰ অভিযোগ থকা হাতে লিখা যি আজ্ঞাৰ প্ৰমাণ পত্ৰ খন আমাৰ বিপক্ষে আছিল, সেই খন তেওঁ মচি পেলালে আৰু গজাল মাৰি ক্ৰুচত লগাই, সেই খন দূৰ কৰিলে৷ ১৫ তেওঁ সকলো আধিপত্য আৰু শাসনকৰ্তাবোৰক অপসাৰিত কৰিলে, আৰু তেওঁলোকক মুকলিভাবে প্ৰকাশিত কৰিলে আৰু তেওঁৰ ক্ৰুচৰ যোগেদি এটা বিজয়ৰ শোভাযাত্ৰাত তেওঁলোকক চালিত কৰিলে৷ ১৬ এতেকে কোনেও আপোনালোকক ভোজনত বা পান কৰাত বা উৎসৱত বা ন জোনত বা বিশ্ৰামবাৰৰ কথাত, বিচাৰ নকৰক। ১৭ এই সকলো ভাবী বিষয়ৰ ছাঁ মাথোন; কিন্তু প্ৰকৃত সত্য হৈছে খ্ৰীষ্ট। ১৮ কোনো এজনকে প্ৰতাৰণাপূৰ্ণ নম্ৰতাৰ দ্বাৰা আৰু স্বৰ্গৰ দূত সকলক কৰা সেৱা-কাৰ্য্যৰ দ্বাৰা নিজকে বঁটাৰ পৰা অপহৃত হবলৈ নিদিবা৷ এনে লোক সকলে নানা দৰ্শনৰ কথাত প্ৰভাবিত কৰি নিজৰ মাংসময় মনৰ গৰ্বত বৃথা গৰ্বিত হয়। ১৯ কিন্তু সংস্পৰ্শ আৰু বন্ধনবোৰৰ দ্বাৰাই প্ৰতিপালিত আৰু দৃঢ়ৰূপে সংযুক্ত হোৱা গোটেই শৰীৰ যি জনৰ পৰা ঐশ্বৰিক বৃদ্ধি পাই বাঢ়িছে, সেই মূৰ স্বৰূপ খ্ৰীষ্টক অৱলম্বন নকৰে৷ ২০ যদি আপোনালোকে জগতৰ পাপপূৰ্ণ নিয়মবোৰৰ বিশ্বাসত খ্ৰীষ্টৰ সৈতে একেলগে মৰিল, তেনেহলে কিয় জগতৰ বিশ্বাসত জীৱন-

যাপন কৰি বশীভূত হৈ আছে: ২১ “সেইবোৰক নধৰিবা, নাচাকিবা,
নুচুবাও?” ২২ লোক সকলৰ বাবে এই আজ্ঞা আৰু শিক্ষা সকলো বস্তু
ভোগ কৰাৰ দ্বাৰাই ক্ষয় পাবৰ কাৰেণেহে হৈছে৷ ২৩ এইবোৰ বিধান
মানুহে বনোৱা ধৰ্মৰ জ্ঞান, আৰু নিজ ইচ্ছাৰ ভজনা, প্ৰতাৰণাপূৰ্ণ
নম্ৰতা আৰু শাৰীৰিক দুখ দিয়া, কিন্তু এইবোৰ মাংসৰ অভিলাষ দমন
কৰিবলৈ সাৰ্থক নহয়।

৩ এতেকে আপুনি যদি খ্ৰীষ্টৰ সৈতে তোলা হ’ল; তেনেহলে য’ত
ঈশ্বৰৰ সোঁ হাতে খ্ৰীষ্ট বহি আছে, সেই ঠাইৰ বিষয়ে অনুসন্ধান
কৰক৷ ২ ওপৰৰ বিষয়বোৰ ভাবক, কিন্তু পৃথিৱীত যি আছে সেই
বিষয়ে নাভাবিব; ৩ কিয়নো আপোনালোকৰ মৃত্যু হ’ল আৰু ঈশ্বৰে
আপোনালোকৰ জীৱন খ্ৰীষ্টৰ সৈতে গুপ্ত ৰাখিছে। ৪ আমাৰ জীৱন স্বৰূপ
খ্ৰীষ্ট যেতিয়া প্ৰকাশিত হ’ব, তেতিয়া তেওঁৰ সৈতে আপোনালোকো
প্ৰতাপত প্ৰকাশিত হ’ব। ৫ এতেকে আপোনালোকে, পৃথিৱীত থকা
এই সকলোকে মাৰি পেলাওঁক; নিজ নিজ অঙ্গ-প্ৰত্যঙ্গ স্বৰূপ যি
ব্যভিচাৰ, অশুচিতা, কামাভিলাষ, কু-অভিলাষ আৰু লোভ, যেনে
মূৰ্তিপূজা৷ ৬ এইবোৰৰ কাৰণে ঈশ্বৰৰ ক্ৰোধ অবাধ্যতাৰ সন্তান
সকলৰ ওপৰলৈ আহে; ৭ পূৰ্বতে আপোনালোকে যেতিয়া এইবোৰত
জীয়াই আছিল, তেতিয়া আপোনালোকেও এইবোৰত চলিছিল। ৮
কিন্তু এতিয়া ক্ৰোধ, খং, কু-অভিলাষ, নিন্দা আৰু মুখৰ পৰা ওলোৱা
অবচনীয় বচন, এইবোৰ দূৰ কৰক৷ ৯ ইজনে সিজনক মিছা কথা
নক’ব; কিয়নো আপোনালোকে তাৰ কৰ্মৰ সৈতে সেই আগৰ পুৰুষক
ফটা বস্ত্ৰ স্বৰূপে সোলোকাই পেলালে; ১০ আৰু যি নিজ সৃষ্টিকৰ্ত্তাৰ
প্ৰতিমূৰ্তিৰ দৰে, তত্ব জ্ঞানৰ কাৰণে নতুন কৰোঁৱা হৈ আছে, সেই নতুন
পুৰুষক বস্ত্ৰ স্বৰূপে পিন্ধিলে৷ ১১ এই জ্ঞানত কোনো গ্ৰীক বা ইহুদী,
চুন্নৎ বা অচুন্নৎ, অসভ্য লোক, স্কুথীয়া, দাস, স্বাধীন, এনে কোনো
থাকিব নোৱাৰে; কিন্তু খ্ৰীষ্টই সকলো বিষয় আৰু সকলোতে থাকে৷ ১২
এতেকে ঈশ্বৰৰ মনোনীত প্ৰিয় আৰু পবিত্ৰ লোক সকলৰ যি উপযুক্ত,
সেই মতে দয়া, স্নেহ, মধুৰ ভাব, নম্ৰতা, মৃদুতা আৰু চিৰসহিষ্ণুতা, এই
সকলোকে পিন্ধক; ১৩ আপোনালোক পৰস্পৰ সহনীয় হওক; ইজনে

সিজনৰ প্ৰতি দয়ালু হওক; আৰু যদি কাৰোবাৰ বিৰুদ্ধে কাৰোবাৰ দোষ
দিয়াৰ কাৰণ থাকে, তেনেহলে পৰস্পৰে ক্ষমা কৰক; কিয়নো প্ৰভুৱে
যেনেকৈ আপোনালোকক ক্ষমা কৰিলে, আপোনালোকেও তেনেকৈ
ক্ষমা কৰক৷ ১৪ এই সকলোৰে ওপৰত প্ৰেমত থাকক; ই সৰ্ব্বসিদ্ধিৰ
বান্ধনি। ১৫ এতিয়া আপোনালোকৰ সকলোৰে হৃদয়ত খ্ৰীষ্টৰ শান্তিয়ে
কৰ্ত্তৃত্ব কৰক; আপোনালোক তাৰ কাৰণেই এক শৰীৰত আমন্ত্ৰিত হ'ল;
আৰু কৃতজ্ঞ হওক। ১৬ খ্ৰীষ্টৰ বাক্যৰ জ্ঞান আপোনালোকৰ সৈতে
বাহুল্যৰূপে বাস কৰক। ধৰ্মগীত, স্তুতি-গীত আৰু আত্মিক গানেৰে
পৰস্পৰে শিক্ষা আৰু চেতনা দি, অনুগ্ৰহৰ কথাত কৃতজ্ঞতাৰে নিজ নিজ
হৃদয়ত ঈশ্বৰৰ উদ্দেশ্যে গান কৰক। ১৭ আৰু আপোনালোকে যি কৰিব
পাৰে, সেইবোৰ বাক্যতে হওক বা কাৰ্যতে হওক, সকলোকে প্ৰভু
যীচুৰ নামত কৰক; আৰু তেওঁৰ দ্বাৰাই পিতৃ ঈশ্বৰৰ ধন্যবাদ কৰক।
১৮ হে ভাৰ্যা সকল, আপোনালোক নিজ নিজ স্বামীৰ বশীভূত হওক
কিয়নো এয়ে প্ৰভুৰ মতে উচিত। ১৯ হে পুৰুষ সকল, আপোনালোকে
নিজ নিজ ভাৰ্যাক প্ৰেম কৰক আৰু তেওঁলোকলৈ তিতা ব্যৱহাৰ
নকৰিব। ২০ হে সন্তান সকল, আপোনালোকে সকলো বিষয়তে পিতৃ-
মাতৃৰ আজ্ঞাধীন হওক; কিয়নো প্ৰভুত সেয়ে সন্তোষজনক। ২১ হে
পিতৃ সকল, আপোনালোকে নিজ নিজ সন্তান সকলক প্ৰৰোচিত কৰি
নাথাকিব, তাতে তেওঁলোক যেন নিৰাশ নহয়। ২২ হে দাস সকল,
আপোনালোকে সকলো বিষয়তে মাংস-সম্বন্ধীয় নিজ নিজ প্ৰভু সকলৰ
আজ্ঞাধীন হওক। আপোনালোকৰ চকুৰ সন্মুখত, মানুহৰ সন্তোষজনক
নহৈ কিন্তু আন্তৰিকতাৰে প্ৰভুলৈ ভয় ৰাখি, তেওঁলোকৰ সেৱা কৰক৷
২৩ আপোনালোকে যি কৰে, সেইবোৰ মানুহৰ উদ্দেশ্যে নহয়, কিন্তু
প্ৰভুৰ উদ্দেশ্যেৰে মনে চিত্তে সৈতে কৰক; ২৪ আপোনালোকে প্ৰভুৰ
পৰা উত্তৰাধিকাৰ স্বৰূপ প্ৰতিদান পাব বুলি আপোনালোকে জানে৷
আপোনালোকে প্ৰভু খ্ৰীষ্টৰ কাৰণে সেৱাকৰ্ম কৰক। ২৫ কিয়নো যি
জনে অন্যায় কৰে, তেওঁ নিজে কৰা অন্যায়ৰ প্ৰতিফল পাব আৰু তাত
পক্ষপাতীত্ব নাই।

**4** হে প্ৰভু সকল, আপোনালোকে নিজ দাস সকলৰ প্ৰতি যি ন্যায় আৰু
সাম্য, সেয়া তেওঁলোকক দিয়ক আৰু জানক যে স্বৰ্গত আপোনালোকৰো
এজন প্ৰভু আছে৷ ২ আপোনালোকে প্ৰাৰ্থনাত লাগি থাকক আৰু
ধন্যবাদেৰে সচেতন থাকিব৷ ৩ আমাৰ কাৰণেও প্ৰাৰ্থনা কৰিব, যাতে
খ্ৰীষ্টৰ যি নিগূঢ়-তত্ত্বৰ কাৰণে আমি বন্ধ হৈ আছোঁ; সেই নিগূঢ়-তত্ব
ক'বলৈ ঈশ্বৰে যেন আমাৰ বাবে বাক্যৰ দুৱাৰ মেলি দিয়ে৷ ৪ আৰু
প্ৰাৰ্থনা কৰক যাতে, মই যি দৰে কোৱা উচিত, সেইদৰে যেন স্পষ্টকৈ
প্ৰকাশ কৰিব পাৰোঁ৷ ৫ বাহিৰা লোকৰ প্ৰতি জ্ঞানেৰে আচৰণ কৰিব
আৰু সময়ক জ্ঞানেৰে ব্যৱহাৰ কৰিব। ৬ আপোনালোকৰ বাৰ্তালাপ
যেন সদায় অনুগ্ৰহযুক্ত হৈ থাকক আৰু আস্বাদযুক্ত লোণৰদৰে, কোন
জনক কেনেকৈ উত্তৰ দিব লাগে, সেই বিষয়ে যেন আপোনালোকে
জানি লওঁক৷ ৭ তুখিকে আপোনালোকক মোৰ বিষয়ে সকলো কথা
জনাব৷ তেওঁ প্ৰভুৰ এজন প্ৰিয় ভাই, বিশ্বাসী পৰিচাৰক আৰু এজন
সহদাস৷ ৮ মই তেওঁক নিৰ্দ্দিষ্ট কৰি আপোনালোকৰ তালৈ পঠিয়ালোঁ,
যাতে আপোনালোকে আমাৰ বিষয়ে জানিব পাৰে আৰু তেওঁ যেন
আপোনালোকৰ হৃদয়ত আশ্বাস দিয়ে৷ ৯ আৰু তেওঁৰ লগত ওনীচিমক,
যি জন আপোনালোকৰে বিশ্বাসী আৰু প্ৰিয় ভাই, তেওঁকো পঠিয়ালোঁ;
তেওঁলোকে ইয়াৰ সকলো কথা আপোনালোকক জনাব। ১০ মোৰ
লগৰ বন্দিয়াৰ আৰিষ্টাৰ্খ, আৰু বাৰ্ণব্বাৰ কুটুম্ব মাৰ্ক, তেওঁৰ বিষয়ে
আপোনালোকে যদি এইদৰে লিখা আদেশ পত্ৰ পায়, তেনেহলে গ্ৰহন
কৰিব, “যদি তেওঁ আপোনালোকৰ তালৈ যায়, গ্ৰহন কৰিবা৷” ১১ আৰু
যীচু, যাক যুষ্ট বোলে, এওঁলোকে আপোনালোকক মঙ্গলবাদ কৰিছে;
এওঁলোক চুন্নৎ হোৱা লোক আৰু কেৱল এওঁলোকেই ঈশ্বৰৰ ৰাজ্যৰ
কাৰণে মোৰ সহকাৰী; এওঁলোক মোৰ শান্তিজনক হ'ল। ১২ ইপাফ্ৰাই
আপোনালোকক মঙ্গলবাদ জনাইছে৷ তেওঁ আপোনালোকৰ মাজৰ
এজন আৰু খ্ৰীষ্ট যীচুৰ দাস৷ তেওঁ সদায় প্ৰাৰ্থনাৰে আপোনালোকৰ
পক্ষে প্ৰাণপণ কৰিছে, যাতে আপোনালোকে ঈশ্বৰৰ সকলো ইচ্ছাত
সিদ্ধ আৰু নিশ্চয়কৈ স্থিৰে থাকে৷ ১৩ কিয়নো মই তেওঁৰ সাক্ষ্য দিছোঁ
যে, তেওঁ আপোনালোকৰ আৰু লায়দিকেয়া আৰু হিয়ৰাপলিত থকা

সকলৰ কাৰণে বৰ পৰিশ্ৰম কৰিছে ১৪ লূক নামৰ প্ৰিয় চিকিৎসক আৰু দীমায়ো আপোনালোকক মঙ্গলবাদ কৰিছে। ১৫ লায়দিকেয়াত থকা ভাই সকলক, নুম্ফাক আৰু তেওঁলোকৰ ঘৰত গোট খোৱা মণ্ডলীক মঙ্গলবাদ দিব। ১৬ আপোনালোকৰ তাত এই পত্ৰ পাঠ কৰা হ'লে, লায়দিকেয়াত থকা মণ্ডলীতো যেন পাঠ কৰা হয়, এনে চেষ্টা কৰিব; আৰু লায়দিকেয়াৰ পৰা যি পত্ৰ পাব, সেই পত্ৰ আপোনালোকেও পাঠ কৰিব। ১৭ আৰ্খিপ্পক এই কথা ক'ব, "আপুনি প্ৰভুত যি পৰিচৰ্যা পদ পালে, সেয়া সিদ্ধ কৰিবৰ কাৰণে তালৈ সাৱধান হ'ব।" ১৮ মোৰ এই মঙ্গলবাদ, মই পৌলে, নিজ হাতেৰে লিখিলোঁ। আপোনালোকে মোৰ শিকলিৰ বন্ধন সুঁৱৰিব। আপোনালোকৰ লগত অনুগ্ৰহ থাকক।

# ১ থিচলনীকীয়া

**১** মই পৌল, চীল আৰু তীমথিয়, পিতৃ ঈশ্বৰ আৰু প্ৰভু যীচু খ্ৰীষ্টত
থকা থিচলনীকীয়া সকলৰ মণ্ডলীৰ সমীপলৈ; অনুগ্ৰহ আৰু শান্তি
আপোনালোকলৈ হওক। ২ আমি সদায় প্ৰাৰ্থনা কালত আপোনালোক
সকলোৰে নাম সোঁৱৰণ কৰোঁ আৰু আপোনালোকৰ কাৰণে ঈশ্বৰক
ধন্যবাদ দিওঁ। ৩ আপোনালোকৰ বিশ্বাসৰ কাৰ্য, প্ৰেমৰ পৰিশ্ৰম আৰু
আমাৰ প্ৰভু যীচু খ্ৰীষ্টত যি আশা আছে, সেই আশাক দৃঢ়ভাবে আৰু
সহনশীলতাৰে যে আপোনালোকে ধৰি ৰাখিছে, সেয়েহে এইবোৰ
বিষয় সোঁৱৰণ কৰি নিৰন্তৰে আমি পিতৃ ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰি
আছোঁ। ৪ হে ঈশ্বৰৰ প্ৰিয় ভাইসকল, আপোনালোক যে মনোনীত
লোক, সেই বিষয়ে আমি জানো; ৫ কাৰণ আমাৰ দ্বাৰা প্ৰচাৰিত
শুভবাৰ্তা কেৱল কথাৰে আপোনালোকলৈ অহা নাছিল; কিন্তু পৰাক্ৰম,
পবিত্ৰ আত্মা আৰু অধিক নিশ্চয়তাৰে আপোনালোকলৈ আহিছিল।
তাতে আমি আপোনালোকৰ বাবে কেনে ধৰণে আছিলোঁ, সেই
বিষয়ে আপোনালোকৰ লগত থকাৰ সময়ত আপোনালোকে নিজে
জানিছিল। ৬ বহু ক্লেশৰ মাজত পবিত্ৰ আত্মাই দিয়া আনন্দৰ সৈতে
আপোনালোকে সেই শুভবাৰ্তা গ্ৰহণ কৰি আমাৰ আৰু প্ৰভুৰ অনুকাৰী
হ'ল। ৭ তাৰ ফলত আপোনালোক মাকিদনিয়া আৰু আখায়াত থকা
সকলো বিশ্বাসী লোকলৈ আৰ্হি হৈছে। ৮ মাত্ৰ মাকিদনিয়া আৰু আখায়া
অঞ্চলতে যে আপোনালোকৰ পৰা প্ৰভুৰ বাক্য বিয়পি পৰিছে এনে
নহয়, কিন্তু ঈশ্বৰৰ প্ৰতি আপোনালোকৰ যি বিশ্বাস, সেই বাৰ্তা সকলো
ঠাইতে বিয়পি পৰিছে। এই বিষয়ে আমি একো কোৱাৰ প্ৰয়োজন
নাই। ৯ কাৰণ লোক সকলে আমাক জনাইছে যে, আপোনালোকে
কিদৰে আমাক গ্ৰহণ কৰিছিল আৰু কি ভাবে আপোনালোকে মূৰ্তি
পূজাৰ পৰা ঘূৰি জীৱন্ত আৰু সত্য ঈশ্বৰৰ সেৱা কৰি আছে৷ ১০ ঈশ্বৰে
যি পুত্ৰক মৃত লোকৰ মাজৰ পৰা তুলিলে, তেওঁ স্বৰ্গৰ পৰা ঘূৰি অহালৈ
আমি অপেক্ষাও কৰি আছোঁ। সেই পুত্ৰ যীচুৱেই আমাক আহিব লগা
ক্ৰোধৰ পৰা ৰক্ষা কৰিব।

২ প্ৰিয় ভাইসকল, আপোনালোকে নিজেই জানে যে, আপোনালোকৰ
ওচৰলৈ আমাৰ যোৱা অৰ্থহীন নহ'ল; ২ আপোনালোকে এই কথাও
জানে যে, আমি আগেয়ে ফিলিপী নগৰত অনেক দুখভোগ কৰিছিলোঁ
আৰু আমাক অপমানিত কৰা হৈছিল। তেতিয়া নানা বিৰোধিতাৰ
মাজতো আমি আপোনালোকৰ আগত শুভবাৰ্তা কবলৈ আমাৰ ঈশ্বৰত
সাহস পালোঁ। ৩ কিয়নো আমাৰ উপদেশ ভুল শিক্ষাৰ পৰা নহয়,
অশুচিতামূলক উদ্দেশ্যৰ পৰাওঁ নহয় বা ছলনাযুক্ত নহয়; ৪ কিন্তু
যেনেকৈ ঈশ্বৰে আমাক বিচাৰ কৰি বিশ্বাসী গণ্য কৰিলে আৰু শুভবাৰ্তা
জনোৱাৰ ভাৰ দিলে; তেনেকৈ আমি মানুহক সন্তুষ্ট নকৰি আমাৰ
হৃদয়ৰ পৰীক্ষা কৰোঁতা ঈশ্বৰকহে সন্তুষ্ট কৰি কওঁ। ৫ আপোনালোকে
জানে যে, আমি কোনো কালে তোষামোদ কৰা বাক্য কোৱা নাই বা
লোভ ঢাকিবলৈ ছলনা কৰি কোনো কথা কোৱা নাই; ঈশ্বৰ ইয়াৰ সাক্ষী।
৬ আমি আপোনালোকৰে হওক বা আনৰে হওক, কোনো মানুহৰ
পৰা পাঁচনি হিচাপে মান মৰ্যদা বিচৰা নাই; অৱশ্যে খ্ৰীষ্টৰ পাঁচনি
হোৱা বাবে আমি কোনো বিষয় দাবী কৰিব পাৰিলোহেঁতেন। ৭ মাকে
নিজৰ সন্তানক লালন-পালন কৰাৰ নিচিনাকৈ আমিও আপোনালোকৰ
ওচৰত অতি মৃদুশীলতাৰে আছিলোঁ। ৮ এইদৰে আপোনালোকৰ
প্ৰতি আমি অধিক স্নেহশীল আছিলোঁ। আপোনালোকক কেৱল ঈশ্বৰৰ
শুভবাৰ্তা দিয়াতে সন্তুষ্ট নাছিলো, কিন্তু আপোনালোকৰ কাৰণে
নিজৰ প্ৰাণ দিবলৈও আমি সন্মত আছিলোঁ; কাৰণ আমাৰ বাবে
আপোনালোক অতি প্ৰিয়। ৯ ভাই, আপোনালোকে সোঁৱৰণ কৰক;
আমাৰ পৰিশ্ৰম আৰু কষ্ট নিশ্চয় মনত আছে৷ আপোনালোকৰ কাৰো
ওপৰত বোজা নহবলৈ, আমি দিনে-ৰাতিয়ে কাম কৰি আপোনালোকৰ
আগত ঈশ্বৰৰ শুভবাৰ্তা ঘোষণা কৰিছিলোঁ। ১০ আপোনালোকৰ
দৰে বিশ্বাসী সকলৰ মাজত আমি কেনে পবিত্ৰ, ধাৰ্মিক, আৰু নিৰ্দোষ
আচৰণকাৰী আছিলোঁ, তাৰ সাক্ষী আপোনালোক আছিল আৰু ঈশ্বৰো
আছে। ১১ আপোনালোকে জানে, পিতৃয়ে নিজৰ সন্তান সকলক
ব্যৱহাৰ কৰাৰ দৰে আমিও আপোনালোকৰ প্ৰতিজনক উপদেশ,
উৎসাহ আৰু সান্ত্বনা দৃঢ়ভাবে দিছিলোঁ যাতে, ১২ যিজন ঈশ্বৰে

আপোনালোকক তেওঁৰ ৰাজ্য আৰু মহিমালৈ আমন্ত্ৰণ কৰিলে, সেই
জন ঈশ্বৰৰ দৃষ্টিত আপোনালোকে যেন যোগ্য জীৱন-যাপন কৰে।
১৩ এই কাৰণতে আমি সকলো সময়তে ঈশ্বৰক ধন্যবাদ জনাওঁ;
ঈশ্বৰৰ বাক্য যেতিয়া আপোনালোকে আমাৰ পৰা পাইছিল, তেতিয়া
মানুহৰ বাক্য বুলি নহয়, কিন্তু ঈশ্বৰৰ বাক্য বুলিহে গ্ৰহণ কৰিছিল,
আৰু এই বাক্য স্বৰূপেই ঈশ্বৰৰ বাক্য। এই বাক্যই বিশ্বাস কৰা
সকলোৰে মাজত কাৰ্য সাধন কৰি আছে। ১৪ হে ভাইসকল, যিহূদাত
খ্ৰীষ্ট যীচুত ঈশ্বৰৰ যি মণ্ডলী সমূহ আছে, আপোনালোকে সেই মণ্ডলী
সমূহৰ অনুকাৰী হ'ল; ইহুদী সকলৰ পৰা তেওঁলোকে যিবোৰ দুখ-
কষ্ট ভোগ কৰিছে, সেই একে নিৰ্যাতন আপোনালোকেও স্বজাতীয়
লোকৰ হাতত ভোগ কৰি আছে। ১৫ ইহুদী সকলে প্ৰভু যীচুক আৰু
ভাববাদী সকলক হত্যা কৰিছিল আৰু এতিয়া আমাকো তাড়না কৰি
আছে। তেওঁলোকে ঈশ্বৰক সন্তুষ্ট নকৰে আৰু সকলো মানুহৰ বিপক্ষত
থাকে। ১৬ আমি অনা-ইহুদী সকলক পাপৰ পৰা উদ্ধাৰ পাবৰ বাবে
শিক্ষা দিওঁ, কিন্তু তেওঁলোকে আমাক পৰিত্ৰাণৰ কথা কবলৈ যাওতে
বাধা আৰোপ কৰে; এইদৰে তেওঁলোকে বাৰে বাৰে পাপ কৰি ঈশ্বৰৰ
সীমা পাৰ আছে। সেয়েহে ঈশ্বৰৰ ক্ৰোধ চূড়ান্ত ৰূপত তেওঁলোকলৈ
নামি আহিছে। ১৭ হে ভাইসকল, মনৰ পৰা নহলেও, আপোনালোকৰ
পৰা কিছুদিনৰ কাৰণে আমি শৰীৰিৰিক ভাবে আতৰত আছোঁ;
কিন্তু আপোনালোকৰ মুখ পুণৰ দেখা পাবলৈ আমি অতি উৎসুক
হৈ আছোঁ; সেয়েহে আপোনালোকৰ ওচৰলৈ আহিবলৈ অধিক চেষ্টা
কৰিছিলোঁ। ১৮ এই কাৰণে আমি, বিশেষকৈ মই পৌলে দুই এবাৰ
আপোনালোকৰ ওচৰলৈ যাব খুজিছিলোঁ; কিন্তু চয়তানে আমাক
বাধা জন্মালে। ১৯ কিয়নো আমাৰ প্ৰভু যীচুৰ আগমণৰ দিনা তেওঁৰ
সাক্ষাতে আপোনালোকেই জানো আমাৰ আশা, আনন্দ আৰু গৌৰৱৰ
মুকুট নহ'ব? ২০ বাস্তৱিকতে আপোনালোকেই আমাৰ গৌৰৱ আৰু
আনন্দ।

৩ গতিকে আমি যেতিয়া ধৈৰ্য ধৰিব নোৱাৰিলোঁ, তেতিয়া
আথিনী নগৰত অকলে থাকিবলৈকে মনস্থ কৰিলোঁ। ২ সেয়েহে,

আপোনালোকক বিশ্বাসত দৃঢ় কৰিবলৈ আৰু আশ্বাস দিবলৈ আমি
খ্ৰীষ্টৰ শুভবাৰ্তাত ঈশ্বৰৰ পৰিচাৰক আমাৰ যি ভাই তীমথিয়, তেওঁক
আপোনালোকৰ ওচৰলৈ পঠাইছিলোঁ, ৩ যাতে এনেবোৰ ক্লেশৰ
মাজত আপোনালোক কোনোৱে হতাশ নহয়। কাৰণ আপোনালোকে
জানে যে ক্লেশৰ কাৰণেই আমি নিযুক্ত হৈছোঁ। ৪ সেই বিষয়ে
আমি আপোনালোকৰ লগত থাকোতেই ক্লেশ যে আমাৰ ওপৰত
আহিব সেই কথা আগেয়ে কৈছিলোঁ। পাছত সেইদৰে ঘটিল, সেই
বিষয়ে আপোনালোকে জানে। ৫ সেই বিষয়ে ময়ো পুনৰ সহিব
নোৱাৰি, আপোনালোকৰ বিশ্বাসৰ স্হিতি জানিবৰ কাৰণে তেওঁক
পঠিয়াইছিলোঁ। আমাৰ ভয় হৈছিল, হয়তো চয়তানে আপোনালোকক
পৰীক্ষাত পেলালে আৰু আমাৰ সকলো পৰিশ্ৰম ব্যৰ্থ হ'ল। ৬ কিন্তু
তীমথিয়ই আপোনালোকৰ ওচৰৰ পৰা ঘূৰি আহি আপোনালোকৰ
বিশ্বাস আৰু ভালপোৱাৰ শুভ সংবাদ আমাক দিলেহি; তেওঁ জনালে
যে, আপোনালোকে আমাক স্নেহভাৱেৰে সকলো সময়তে সোঁৱৰণ
কৰি আছে৷ আমাক দেখা পাবলৈ যেনেকৈ আপোনালোকে ইচ্ছা
কৰে, তেনেকৈ আমিও আপোনালোকক চাবৰ কাৰণে অতিশয়
হাবিয়াহ কৰি আছোঁ। ৭ এই কাৰণে, হে ভাইসকল, আপোনালোকৰ
বিশ্বাসৰ যোগেদি আমাৰ সকলো দুখ ক্লেশতো আমি উৎসাহ পাওঁ। ৮
কিয়নো আপোনালোক প্ৰভুত দৃঢ় থকাৰ বাবে আমি এতিয়া সঁচাকৈ
জীয়াই আছোঁ। ৯ আপোনালোকৰ কাৰণে ঈশ্বৰৰ সাক্ষাতে আমি
যি আনন্দেৰে আনন্দিত হৈছোঁ, তাৰ প্ৰতিদান স্বৰূপে কেনেকৈ যে
আপোনালোকৰ কাৰণে ঈশ্বৰক ধন্যবাদ দিব পাৰিম, আমি নাজানো!
১০ আপোনালোকৰ মুখ আমি যেন দেখা পাওঁ আৰু আপোনালোকৰ
বিশ্বাসত যি অভাৱ আছে, সেয়া যেন পূৰণ কৰিব পাৰোঁ, এই বাবে
দিনে-ৰাতিয়ে আমি প্ৰাৰ্থনা কৰি আছোঁ৷ ১১ পিতৃ ঈশ্বৰ আৰু প্ৰভু
যীচুৱে আপোনালোকৰ ওচৰলৈ যোৱাৰ পথ সুগম কৰি দিয়ক। ১২
আপোনালোকলৈ আমাৰ প্ৰেম যেনে, তেনেকৈ ইজনে সিজনলৈ আৰু
সকলো লোকলৈ প্ৰভুৱে আপোনালোকৰ প্ৰেম বঢ়াই উপচাই দিয়ক।
১৩ ঈশ্বৰে আপোনালোকৰ হৃদয় দৃঢ় কৰিব। আমাৰ প্ৰভু যীচু যেতিয়া

তেওঁৰ সকলো পবিত্ৰ লোকে সৈতে আহিব, তেতিয়া তেওঁৰ সেই
আগমণৰ কালত আমাৰ পিতৃ ঈশ্বৰৰ আগত আপোনালোক যেন
পবিত্ৰতাৰে নিৰ্দোষী হৈ থিয় হ'ব পাৰিব, তাৰ বাবেই আমি প্ৰাৰ্থনা
কৰি আছোঁ।

**4** সৰ্বশেষত, হে প্ৰিয় ভাইসকল, ঈশ্বৰক সন্তুষ্ট কৰিবৰ কাৰণে কি
ৰূপে জীৱন-যাপন কৰিব লাগে, এই বিষয়ে আপোনালোকে আমাৰ
পৰা যি শিক্ষা গ্ৰহণ কৰিলে, সেইভাৱেই আপোনালোকে চলিছে।
আমি প্ৰভু যীচুত থাকি আপোনালোকক উদগাওঁ আৰু পৰামৰ্শ দিওঁ,
আপোনালোকে যেন অধিককৈ সেইভাৱে জীৱন-যাপন কৰে। ২
কাৰণ প্ৰভু যীচুৰ অধিকাৰৰ দ্বাৰাই আমি আপোনালোকক কি কি
পৰামৰ্শ দিছিলোঁ, সেই বিষয়ে আপোনালোকে জানে। ৩ কিয়নো
ঈশ্বৰৰ ইচ্ছা এই যে, আপোনালোক যেন পবিত্ৰ হয় অৰ্থাৎ সকলো
ধৰণৰ ব্যভিচাৰৰ পৰা যেন দূৰৈত থাকে। ৪ আপোনালোক প্ৰত্যেকে
নিজৰ নিজৰ ভাৰ্যাৰ লগত কেনেদৰে পবিত্ৰতাৰে আৰু সন্মানজনক
ভাৱে সহবাস কৰিব লাগে, সেই বিষয়ে জানে। ৫ ঈশ্বৰক নজনা
অনা-ইহুদী সকলৰ নিচিনা অবৈধ মাংসিক কামনাৰ বশত চলিব
নালাগে। ৬ এই বিষয়ত কোনেও যেন সীমা পাৰ নহয় আৰু তেওঁৰ
ভাইক নঠগায়; আমি আগেয়ে আপোনালোকক জনাইছিলোঁ আৰু
সাৱধান কৰি দিছিলোঁ যে, এই সকলো পাপ বিষয়ৰ কাৰণে প্ৰভুৱে
তেওঁলোকক দণ্ড দিব। ৭ কিয়নো ঈশ্বৰে আমাক অপবিত্ৰতালৈ নহয়,
কিন্তু পবিত্ৰতালৈহে আমন্ত্ৰণ কৰিলে। ৮ এতেকে যি জনে এই শিক্ষা
অগ্ৰাহ্য কৰে, তেওঁ মানুহক নহয়, কিন্তু যিজনে তেওঁৰ পবিত্ৰ আত্মা
আপোনালোকক দান কৰিলে, সেই ঈশ্বৰকেই অগ্ৰাহ্য কৰে। ৯
ভাতৃপ্ৰেমৰ বিষয়ে হ'লে আপোনালোকলৈ লিখা অপ্ৰয়োজন; কিয়নো
এজনে আন জনক প্ৰেম কৰাৰ শিক্ষা আপোনালোকে ঈশ্বৰৰ পৰাই
শিকিছে। ১০ বাস্তৱতে সমুদায় মাকিদনিয়া প্ৰদেশৰ সকলো বিশ্বাসী
ভাইকে আপোনালোকে প্ৰেম কৰে। কিন্তু হে ভাইসকল, আমাৰ
পৰামৰ্শ এই যে, আপোনালোকে যেন প্ৰেমত অধিককৈ উপচি পৰে।
১১ আমি আপোনালোকক পুণৰ পৰামৰ্শ দিওঁ যে, আপোনালোকে

শান্তিপূৰ্ণ জীৱন কটোৱাৰ বাবে আপ্ৰাণ চেষ্টা কৰক; আমি দিয়া আজ্ঞা অনুসাৰে নিজৰ কাৰ্যত মনোযোগ দিয়ক, নিজ হাতেৰে পৰিশ্ৰম কৰিবলৈ ইচ্ছা কৰক।
১২ আপোনালোকে এনেদৰে জীৱন কটাওঁক যাতে বিশ্বাস নকৰা বাহিৰা লোকে আপোনালোকৰ সন্মানপূৰ্ণ উপযুক্ত আচাৰ-ব্যৱহাৰক মান্য কৰিব পাৰে আৰু এইদৰে আপোনালোকৰ যেন একোৰে অভাৱ নহয়।
১৩ হে ভাইসকল, যিসকল লোক নিদ্ৰিত হ’ল তেওঁলোকৰ কি হ’ব সেই সম্বন্ধে আপোনালোকে একো নজনাকৈ থকাটো আমি নিবিচাৰোঁ; কাৰণ আশাহীন অন্য লোকৰ নিচিনাকৈ আপোনালোক শোকাকুল হোৱাটো আমি নিবিচাৰোঁ।
১৪ কিয়নো যীচু মৰি পুনৰায় উঠিল, ইয়াক যদি আমি বিশ্বাস কৰোঁ, তেনেহলে আমি ইয়াকো বিশ্বাস কৰোঁ যে, ঈশ্বৰে যীচুৰ আশ্ৰয়ত মৃত্যু হোৱা সকলকো যীচুৰ লগত লৈ যাব।
১৫ প্ৰভুৰ বাক্যৰ দ্বাৰাই আমি আপোনালোকক এই কথা কওঁ যে, আমি যিমান লোক জীয়াই আছোঁ আৰু প্ৰভুৰ আগমণত যিমান লোক অৱশিষ্ট থাকিম, আমি সকলোৱে কোনোমতে সেই মৃত লোক সকলতকৈ আগেয়ে নাযাওঁ।
১৬ কিয়নো প্ৰভু নিজে জয়ধ্বনি, প্ৰধান স্বৰ্গৰ দূতৰ স্বৰ, আৰু ঈশ্বৰৰ তূৰী বাদ্যৰে সৈতে স্বৰ্গৰ পৰা নামি আহিব; তেতিয়া খ্ৰীষ্টৰ আশ্ৰয়ত মৰা লোক সকল প্ৰথমে উঠিব;
১৭ তাৰ পাছত আমি যি সকল জীয়াই থাকিম, সেই সময়ত আকাশত প্ৰভুৰ লগ লবলৈ তেওঁলোকৰ সৈতে আমাকো মেঘৰ মাজত তুলি নিয়া হব আৰু এইদৰে আমি সদায় প্ৰভুৰ সাক্ষাতে থাকিম।
১৮ এতেকে, এইবোৰ কথাৰ দ্বাৰাই আপোনালোকে পৰস্পৰক সান্ত্বনা দিয়ক।

৫ হে ভাইসকল, এতিয়া সেই কাল বা সেই সময়ৰ কথা মই আপোনালোকলৈ একো লিখাৰ প্ৰয়োজন নাই;
২ কিয়নো আপোনালোকে নিজেই ভালদৰে জানে যে, ৰাতি যেনেকৈ চোৰ আহে, প্ৰভুৰ দিনটোও তেনেকৈয়ে আহিব।
৩ যেতিয়া লোক সকলে “শান্তি আৰু নিৰাপত্তা” ৰ কথা কব, তেতিয়া হঠাতে হোৱা গৰ্ভৱতীৰ প্ৰসৱ বেদনাৰ নিচিনাকৈ, তেওঁলোকলৈ বিনাশ আহিব আৰু তেওঁলোক কোনোমতেই সাৰিব নোৱাৰিব।
৪ কিন্তু হে ভাই সকল, চোৰৰ আহিব

পৰাকৈ সেইদিন আপোনালোকৰ ওচৰত উপস্থিত হবলৈ, এতিয়া
আপোনালোক পুনৰ আন্ধাৰত থকা নাই; ৫ কিয়নো আপোনালোক
সকলোৱেই পোহৰ আৰু দিনৰ সন্তান। আমি ৰাতি বা আন্ধাৰৰ লোক
নহওঁ। ৬ এই হেতুকে আহক, আমি আন লোকবোৰৰ নিচিনাকৈ
টোপনিয়াই নাথাকি, পৰ দি আৰু সংযত হৈ থাকোহঁক। ৭ কিয়নো
যি সকলে টোপনিয়াই, তেওঁলোকে ৰাতিহে টোপনিয়ায়; যি সকল
মদ্যপায়ী, তেওঁলোক ৰাতিহে মাতাল হয়। ৮ কিন্তু আমি হলে দিনৰ
সন্তান হোৱাত, আহক আমি সংযমী হওঁ; বিশ্বাস আৰু প্ৰেমৰ বুকুবৰি
পিন্ধি, মূৰত পৰিত্ৰাণৰ আশাৰূপ নিশ্চয়তাৰ টকয়া পিন্ধোহঁক। ৯
কিয়নো আমি ক্ৰোধৰ পাত্ৰ হবলৈ নহয়, আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ দ্বাৰাই
পৰিত্ৰাণ লাভ কৰিবলৈহে ঈশ্বৰে আমাক মনোনীত কৰিলে; ১০
আমি জীয়াই থাকো বা নিদ্ৰিত অৱস্থাতেই থাকো, আমি যেন তেওঁৰ
লগতেই জীৱিত থাকিব পাৰোঁ, এই কাৰণে যীচুৱে আমাৰ কাৰণে
প্ৰাণ দিলে। ১১ এতেকে আপোনালোকে এতিয়া যেনেকৈ আছে,
তেনেকৈয়ে পৰস্পৰে সান্ত্বনা দি থাকক আৰু এজনে আন জনক গঢ়
দি তোলক। ১২ ভাই সকল, আমি বিনয় কৰোঁ, যি লোক সকলে
আপোনালোকৰ মাজত পৰিশ্ৰম কৰে আৰু প্ৰভুত আপোনালোকৰ
ওপৰত পৰিচালনাত আছে, আৰু আপোনালোকক উপদেশ দিয়ে,
সেই লোক সকলক আপোনালোকে সন্মান কৰক। ১৩ আমি পুণৰ
কওঁ, আপোনালোকে তেওঁলোকৰ কাৰ্যৰ কাৰণে প্ৰেমৰ মনোভাৱেৰে
অতিশয়ৰূপে তেওঁলোকক সন্মান কৰক আৰু পৰস্পৰৰ মাজত শান্তি
বজায় ৰাখক। ১৪ ভাই সকল, আমি আপোনালোকক এই উপদেশ
দিওঁ, অনিয়মত হৈ চলা লোকক আপোনালোকে সাৱধান কৰক;
নিৰুৎসাহী লোকক উৎসাহ দিয়ক, দুৰ্বল লোকৰ সাৰথি হওক আৰু
সকলোৰে প্ৰতি সহিষ্ণু হওক। ১৫ সাৱধান, কোনেও যেন অপকাৰৰ
সলনি কাৰো অপকাৰ নকৰে। কিন্তু পৰস্পৰৰ আৰু সকলোৰে কাৰণে
যি উত্তম, তেনে কৰ্ম কৰিবলৈ যেন চেষ্টা কৰে। ১৬ সকলো সময়তে
আনন্দত থাকক। ১৭ নিৰন্তৰে প্ৰাৰ্থনাকৰি থাকক। ১৮ সকলো বিষয়তে
ঈশ্বৰক ধন্যবাদ দিয়ক; কিয়নো আপোনালোকৰ প্ৰতি খ্ৰীষ্ট যীচুত

ঈশ্বৰৰ এই ইচ্ছা। ১৯ পবিত্ৰ আত্মাক নুনুমাব। ২০ ভাববাণী হেয়জ্ঞান
নকৰিব। ২১ সকলো বিষয় বিবেচনা কৰি যি বিষয় ভাল, তাকে ধৰি
ৰাখক। ২২ সকলো প্ৰকাৰৰ মন্দৰ পৰা পৃথকে থাকক। ২৩ শান্তিদাতা
ঈশ্বৰে আপোনালোকক সম্পূৰ্ণৰূপে পবিত্ৰ কৰক; আৰু আপোনালোকৰ
আত্মা, প্ৰাণ, আৰু শৰীৰ আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ আগমণৰ দিন পৰ্যন্ত
নিৰ্দোষীৰূপে সম্পূৰ্ণকৈ ৰক্ষিত হওক। ২৪ যি জনে আপোনালোকক
আমন্ত্ৰণ কৰিছে, তেৱেঁই সেয়া কৰিব, কাৰণ তেওঁ বিশ্বাসী। ২৫ ভাই
সকল, আমাৰ কাৰণেও প্ৰাৰ্থনা কৰিব। ২৬ সকলো ভাইকে পবিত্ৰ
চুমাৰে শুভেচ্ছা জনাব। ২৭ মই আপোনালোকক প্ৰভুৰ যোগেদি
এই অনুৰোধ কৰোঁ যে, এই পত্ৰ যেন সকলো ভাইৰ আগত পাঠ
কৰি শুনোৱা হয়। ২৮ আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ অনুগ্ৰহ আপোনালোক
সকলোৰে লগত থাকক।

# ২ থিচলনীকীয়া

**১** পৌল, চীল আৰু তীমথিয়, আমাৰ পিতৃ ঈশ্বৰ আৰু প্ৰভু যীচু খ্ৰীষ্টত
থকা থিচলনীকীয়া সকলৰ মণ্ডলীৰ সমীপলৈ, ২ পিতৃ ঈশ্বৰ আৰু প্ৰভু
যীচু খ্ৰীষ্টৰ অনুগ্ৰহ আৰু শান্তি আপোনালোকৰ সহবৰ্তী হওক। ৩
ভাইসকল, আপোনালোকৰ কাৰণে আমি সদায় ঈশ্বৰক ধন্যবাদ
দিওঁ; আমি এনেদৰে ধন্যবাদ কৰা উচিত, কাৰণ আপোনালোকৰ
বিশ্বাস অতিশয়ৰূপে বৃদ্ধি পাইছে আৰু আপোনালোক সকলোৰে
প্ৰেমত পৰস্পৰৰ প্ৰতি উপচি পৰিছে; ৪ আপোনালোকে যি সকলৰ
পৰা তাড়না আৰু ক্লেশ সহন কৰি আছে, সেই সকলৰ মাজতো
আপোনালোকে যে বিশ্বাস আৰু সহনশীলতাত স্থিৰে আছে, তাৰ
কাৰণে আমি ঈশ্বৰৰ বিভিন্ন মণ্ডলীত আপোনালোকৰ বিষয়ে কৈ
গৰ্ব বোধ কৰোঁ। ৫ এইবোৰ বিষয় ঈশ্বৰৰ ন্যায় সোধ-বিচাৰৰ এক
স্পষ্ট লক্ষণ, যাৰ ফলত ঈশ্বৰৰ যি ৰাজ্যৰ কাৰণে আপোনালোকে
দুখভোগ কৰিছে, সেই ৰাজ্যৰ যোগ্যপাত্ৰৰূপে আপোনালোক গণিত
হব। ৬ ঈশ্বৰৰ দৃষ্টিত ন্যায়-বিচাৰ এই, যি সকলে আপোনালোকক
ক্লেশ দিয়ে, তেওঁ সেই সকলক ক্লেশ দিব, ৭ আৰু আপোনালোক যি
সকলে এতিয়া ক্লেশ পাইছে, আপোনালোকক আমাৰ লগত ঈশ্বৰে
বিশ্ৰাম দিব। যেতিয়া প্ৰভু যীচুৰে তেওঁৰ পৰাক্ৰমশালী দূত সকলৰ
সৈতে জ্বলন্ত অগ্নিৰে স্বৰ্গৰ পৰা নামি আহি প্ৰকাশিত হ’ব, তেতিয়া
এইবোৰ ঘটিব; ৮ তেতিয়া যি সকলে ঈশ্বৰক নাজানে আৰু আমাৰ
প্ৰভু যীচুৰ শুভবাৰ্তা পালন নকৰে, সেই লোক সকলক তেওঁ দণ্ড
দিব। ৯ তেওঁলোক প্ৰভুৰ লগত থকাৰ পৰা আতৰ হৈ আৰু তেওঁৰ
পৰাক্ৰমৰ প্ৰতাপৰ পৰা দূৰৈত থাকি, দণ্ডৰ সৈতে অনন্ত বিনাশ ভোগ
কৰিব। (aiōnios g166) ১০ সেইদিনা যীচু যেতিয়া নিজৰ পবিত্ৰ লোক
সকলৰ দ্বাৰা মহিমান্বিত হবলৈ আহিব, তেতিয়া বিশ্বাস কৰা সকলোৰে
আচৰিত হ’ব; আপোনালোকো সেই বিশ্বাসী সকলৰ মাজত আছে,
কাৰণ আপোনালোকে আমাৰ সাক্ষ্য বিশ্বাস কৰিলে। ১১ এই কাৰণে
আমিও আপোনালোকৰ বাবে সদায় প্ৰাৰ্থনা কৰি থাকোঁ, যাতে আমাৰ
ঈশ্বৰে আপোনালোকক তেওঁৰ আমন্ত্ৰণৰ যোগ্যপাত্ৰ বুলি গণ্য কৰিব৷

তাতে তেওঁৰ শক্তিত আপোনালোকে যেন মঙ্গলভাৱেৰে সকলো
ভাল কাম কৰাৰ ইচ্ছা আৰু বিশ্বাসৰ প্ৰতিটো কাৰ্য যেন সম্পূৰ্ণ কৰে;
১২ তাতে যেন আমাৰ ঈশ্বৰ আৰু প্ৰভু যীচু খ্ৰীষ্টৰ অনুগ্ৰহ অনুসাৰে
আমাৰ প্ৰভু যীচুৰ নাম আপোনালোকৰ দ্বাৰাই মহিমান্বিত হয় আৰু
আপোনালোকো তেওঁত মহিমান্বিত হওক।

২ হে ভাইসকল, এতিয়া আমি আপোনালোকক অনুৰোধ কৰোঁ যে,
আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ আগমণ আৰু তেওঁৰ ওচৰত আমি গোট খোৱাৰ
বিষয়ে আপোনালোকে জানি লওক, ২ আমি আপোনালোকক কওঁ,
'প্ৰভুৰ দিন ইতিমধ্যে আহিল' এই বুলি আপোনালোকৰ মন সহজতে
অস্থিৰ নহওক নাইবা ব্যাকুল নহওক; কিয়নো কোনো কোনোৱে
হয়তো আত্মাৰ দ্বাৰাই বা অন্য কাৰোবাৰ কথাৰ দ্বাৰাই অথবা আমি
লিখা কোনো চিঠিৰ দ্বাৰাই এই বুলি ক'ব পাৰে। ৩ আপোনালোকক
কোনোৰূপে কাকো ভুলাবলৈ নিদিব; কিয়নো সেইদিন অহাৰ আগেয়ে
ঈশ্বৰৰ বিৰুদ্ধে ধৰ্ম পৰিত্যাগ কৰা দেখা যাব আৰু সেই অবাধ্যতাৰ
পুৰুষ, যি বিনাশ হবলগীয়া পুত্ৰ; সি প্ৰকাশিত হ'ব। ৪ ঈশ্বৰ নামেৰে
খ্যাত আৰু উপাসনাৰ যোগ্য যি সকলো আছে, এই সকলোৰে বিৰুদ্ধে
থিয় হৈ সেই অবাধ্যতাৰ পুৰুষে নিজকে ওখত প্ৰতিষ্ঠিত কৰিব; এনে
কি, ঈশ্বৰৰ মন্দিৰত বহি নিজকে নিজে ঈশ্বৰ বুলি ঘোষণা কৰিব। ৫
এইবোৰ যে ঘটিব সেই কথা মই আপোনালোকৰ লগত থাকোতেই
আপোনালোকক কৈছিলোঁ; সেই বিষয়ে আপোনালোকৰ মনত নপৰে
নে? ৬ সেই অবাধ্যতাৰ পুৰুষক কেৱল তাৰ নিৰূপিত কালতহে
প্ৰকাশিত হবলৈ কিহে বাধা দি ৰাখিছে, সেয়া আপোনালোকে জানে।
৭ কিয়নো ঈশ্বৰৰ অবাধ্যতাৰ সেই গোপন তত্ত্বই ইতিমধ্যে কাৰ্য সাধন
কৰি আছে; কেৱল এজন আছে যি জনে বৰ্তমান তাক প্ৰকাশ হোৱাত
বাধা দি ৰাখিছে; তাক দূৰ নকৰা পৰ্যন্ত বাধা দিয়ে থাকিব। ৮ তাৰ
পাছত সেই অবাধ্যতাৰ পুৰুষ জন প্ৰকাশিত হ'ব আৰু প্ৰভু যীচুৱে
নিজৰ মুখৰ নিশ্বাসৰ দ্বাৰাই তাক ধ্বংস কৰিব আৰু তেওঁৰ আগমণৰ
আবিৰ্ভাৱৰ দ্বাৰাই তাক শেষ কৰিব। ৯ চয়তানৰ কৰ্ম অনুসাৰে সেই
অবাধ্যতাৰ পুৰুষ আহিব। সি সকলো মিছা পৰাক্ৰম কাৰ্য, আচৰিত

চিন আৰু অদ্ভুত লক্ষণ দেখুৱাব; ১০ বিনাশ পথৰ যাত্ৰী সকলক
অধাৰ্মিকতাৰ ছলনাৰে সকলো ধৰণৰ প্ৰৱঞ্চনা কৰিব। কিয়নো, এই
লোক সকলে পৰিত্ৰাণ পাবৰ কাৰণে সত্য প্ৰেমক গ্ৰহণ নকৰিলে। ১১
সেয়েহে তেওঁলোকে যাতে মিছাত বিশ্বাস কৰিব, তাৰ বাবে ঈশ্বৰে
তেওঁলোকলৈ এক ভ্ৰান্তিজনক কাৰ্য কৰা শক্তি পঠাব। ১২ যি সকলে
সত্যক বিশ্বাস নকৰিলে কিন্তু অধাৰ্মিকতাত আনন্দিত হ'ল, সেই
লোক সকলৰ বিচাৰ হ'ব। ১৩ প্ৰভুৰ প্ৰিয় ভাইসকল, আপোনালোকৰ
কাৰণে ঈশ্বৰক সকলো সময়তে ধন্যবাদ দিয়া আমাৰ কৰ্তব্য; কিয়নো
আপোনালোকক আত্মাৰ শুদ্ধিকৰণ কাৰ্যৰে পবিত্ৰতালৈ আনিলে আৰু
সত্যক বিশ্বাস কৰাৰ মাধ্যমেৰে পৰিত্ৰাণ পাবৰ কাৰণে ঈশ্বৰে আদিৰে
পৰা আপোনালোকক প্ৰথম ফলৰূপে মনোনীত কৰিলে। ১৪ আমাৰ
শুভবাৰ্তাৰ দ্বাৰাই পৰিত্ৰাণ পাবলৈ তেওঁ আপোনালোকক আমন্ত্ৰণ
কৰিলে যাতে আপোনালোকে আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ মহিমাৰ ভাগী
হয়। ১৫ এই হেতুকে, হে ভাই সকল, থিৰে থাকক; পত্ৰৰ দ্বাৰা
বা কথাৰ দ্বাৰাই যি যি শিক্ষা আমি আপোনালোকক দিলোঁ, সেই
সকলোকে ধৰি ৰাখক। ১৬ এতিয়া আমাৰ প্ৰভু যীচু খ্ৰীষ্টে নিজে আৰু
যিজনে আমাক প্ৰেম কৰি, আমাক অনন্ত সান্ত্বনা আৰু ভৱিষ্যতৰ উত্তম
আশা অনুগ্ৰহেৰে দিলে, আমাৰ সেই পিতৃ ঈশ্বৰে আপোনালোকৰ
হৃদয়ক সান্ত্বনা দিয়ক; **(aiōnios g166)** ১৭ আৰু সকলো সৎ কৰ্ম আৰু
সদবাক্যত আপোনালোকৰ মন সুস্থিৰ কৰক।

৩ শেষতে, হে ভাইসকল, আমাৰ কাৰণে প্ৰাৰ্থনা কৰক। প্ৰাৰ্থনা
কৰক যাতে আপোনালোকৰ মাজত প্ৰভুৰ বাক্য যেনেকৈ দ্ৰুতগতিত
প্ৰসাৰিত হৈছিল, তেনেকৈ বিস্তাৰিত আৰু গৌৰৱান্বিত হওক; ২ প্ৰাৰ্থনা
কৰক যেন দুৰাচাৰী আৰু দুষ্ট লোকৰ হাতৰ পৰা আমি ৰক্ষা পাওঁ;
কিয়নো, সকলো লোকৰ যে বিশ্বাস আছে, এনে নহয়। ৩ কিন্তু, প্ৰভু
বিশ্বাসী; তেৱেঁই আপোনালোকক সুস্থিৰ কৰিব আৰু দুষ্ট শক্তি চয়তানৰ
হাতৰ পৰা ৰক্ষা কৰিব। ৪ আপোনালোকৰ সম্বন্ধে প্ৰভুত আমাৰ
দৃঢ় বিশ্বাস আছে যে, আমি দিয়া সকলো আদেশ আপোনালোকে
পালন কৰিছে আৰু আগলৈও কৰি থাকিব। ৫ প্ৰভুৱে আপোনালোকৰ

হৃদয়ক ঈশ্বৰৰ প্ৰেম আৰু খ্ৰীষ্টৰ সহনশীলতাৰ পথত চলাওঁক। ৬
ভাইসকল, আমি আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ নামেৰে আপোনালোকক এই
আদেশ দিওঁ যে, কোনো ভায়ে যদি এলেহুৱা হৈ অনিয়মত চলে আৰু
আমাৰ পৰা আপোনালোকে পোৱা শিক্ষা অনুসাৰে নচলে, তেনেহলে
তাৰ লগ এৰক। ৭ কিয়নো আমাৰ অনুকাৰী কেনেকৈ হ'ব লাগে,
সেই বিষয়ে আপোনালোকে নিজে জানে। আপোনালোকৰ মাজত
থকাৰ সময়ত আমি এলেহুৱা হৈ অনিয়মত চলা নাছিলোঁ; ৮ মূল্য
নিদিয়াকৈ আমি কাৰো আহাৰ গ্ৰহণ কৰা নাছিলোঁ। ইয়াৰ পৰিৱৰ্তে
আমি আপোনালোকৰ ওপৰত বোজা নহবলৈ দিনে-ৰাতিয়ে পৰিশ্ৰম
আৰু কষ্টেৰে কাম কৰিছিলোঁ৷ ৯ ইয়াত আমাৰ যে ক্ষমতা নাই, এনে
নহয়; কিন্তু আপোনালোক যেন আমাৰ অনুকাৰী হয়, তাৰ বাবে
আপোনালোকৰ ওচৰত আমি আৰ্হি হবলৈহে ইয়াকে কৰিলোঁ। ১০
কাম কৰিবলৈ যদি কোনোৱে অসন্মত হয়, তেনেহলে তেওঁ আহাৰো
গ্ৰহন নকৰক, এই বুলি আপোনালোকৰ মাজত থাকোতেই, আমি
আপোনালোকক আদেশ দিছিলোঁ। ১১ কাৰণ, আমি শুনিবলৈ পাওঁ যে,
আপোনালোকৰ কোনো কোনোৱে এলেহুৱা হৈ অনিয়মত চলি আছে
আৰু একো কাম নকৰি অনাধিকাৰ চৰ্চ্চা কৰি ফুৰে। ১২ এনে লোক
সকলক আমি প্ৰভু যীচু খ্ৰীষ্টৰ নামেৰে আদেশ আৰু উপদেশ দিওঁ,
তেওঁলোকে শান্তভাবে কাম কৰি নিজৰ নিজৰ আহাৰ ভোজন কৰক।
১৩ হে ভাইসকল, সৎ কাম কৰিবলৈ যাওতে আপোনালোক কেতিয়াও
নিৰুৎসাহ নহ'ব। ১৪ এই পত্ৰৰ দ্বাৰাই জনোৱা আমাৰ বাক্য কোনোৱে
যদি নামানে, তেনেহলে আপোনালোকে সেই মানুহক চিনি ৰাখিব
আৰু তেওঁ লাজ পাবলৈ তেৰেঁ সৈতে আলাপ-ব্যৱহাৰো নকৰিব; ১৫
কিন্তু তেওঁক শক্ৰুৰদৰে জ্ঞান নকৰিব, বৰং ভাই বুলি চেতনা দিয়ক।
১৬ এতিয়া শান্তিদাতা প্ৰভুৱে নিজে সকলো সময়ত সকলোভাৱে
আপোনালোকক শান্তি দান কৰক। প্ৰভু আপোনালোক সকলোৰে সঙ্গী
হওক। ১৭ মোৰ এই শুভেচ্ছা, মই পৌলে নিজ হাতে লিখিলোঁ; এয়েই
মোৰ প্ৰত্যেক পত্ৰৰ চিন; মই এনেকৈয়ে লিখোঁ। ১৮ আমাৰ প্ৰভু যীচু
খ্ৰীষ্টৰ অনুগ্ৰহ আপোনালোক সকলোৰে লগত থাকক।

# ১ তীমথিয়

**১** মই পৌল, খ্ৰীষ্ট যীচুৰ এজন পাঁচনি৷ আমাৰ ত্ৰাণকৰ্তা ঈশ্বৰ আৰু
আশাভুমি খ্ৰীষ্ট যীচুৰ আজ্ঞা অনুসাৰে নিযুক্ত৷ ২ বিশ্বাসী হিচাবে মোৰ
এজন প্ৰকৃত পুত্ৰ তীমথিয়ৰ সমীপলৈ, পিতৃ ঈশ্বৰ আৰু আমাৰ প্ৰভু
খ্ৰীষ্ট যীচুৰ পৰা অনুগ্ৰহ, দয়া আৰু শান্তি হওক। ৩ মাকিদনিয়ালৈ
যোৱাৰ সময়ত মই তোমাক যি কৈছিলোঁ, এতিয়াও সেই বিষয়ে
কওঁ তুমি ইফিচতে থাকা, তাতে কিছুমান লোকক পুণৰ ভুল শিক্ষা
নিদিবলৈ আদেশ দিব পাৰিবা। ৪ কাৰণ তেওঁলোকে বাধাৰহে সৃষ্টি
কৰে৷ গল্প-কথা আৰু অন্তহীন বংশ তালিকাত মনোযোগ নিদিবা৷
এইবোৰে অযথা তৰ্ক-বিতৰ্কৰ সৃষ্টি কৰে আৰু ঈশ্বৰৰ কামত সহায়
নকৰে৷ ঈশ্বৰৰ কাম বিশ্বাসৰ দ্বাৰা হয়৷ ৫ এই আদেশৰ উদ্দেশ্য হৈছে
প্ৰেম; যি প্ৰেম নিৰ্মল চিত্ত, সৎ বিবেক আৰু অকপট বিশ্বাসৰ পৰা হয়৷
৬ এইবোৰৰ পৰা কোনো কোনো এফলীয়া হৈ অনৰ্থক কথাৰ বাবে
বিপথে গ'ল৷ ৭ তেওঁলোকে বিধানৰ অধ্যাপক হবলৈ ইচ্ছা কৰে, কিন্তু
তেওঁলোকে নিজৰ কথা নিজেই নুবুজে বা যি বিষয়ে জোৰ দি কয়,
সেই সম্বন্ধেও নাজানে৷ ৮ কিন্তু বিধান যে কোনো লোকে আইনসংগত
ভাৱে ব্যৱহাৰ কৰিলে উত্তম হয়, ইয়াক আমি জানো; ৯ তথাপি, বিধান
ধাৰ্মিক লোকৰ নহয়, কিন্তু সেয়া দিয়া হৈছিল, সেই লোক সকলৰ
কাৰণে, যি সকল বিধানহীন আৰু বিদ্ৰোহী, ভক্তিহীন আৰু পাপী,
অপবিত্ৰ আৰু অধাৰ্মিক, যি সকল পিতৃবধী, মাতৃবধী, নৰবধী, ১০
ব্যভিচাৰী, সমকামী, দাস বিক্ৰীৰ সৰবৰাহকাৰী, মিছলীয়া, মিছা সাক্ষী
আৰু যি সকলে সত্য শিক্ষাৰ বিপৰীতে আন কিবা কাম কৰা, মিছা
শপতকাৰী, ১১ পৰমধন্য ঈশ্বৰৰ গৌৰৱময় শুভবাৰ্তা অনুসাৰে সেই
শিক্ষাৰ ভাৰ তেওঁ মোৰ ওপৰত দিলে৷ ১২ যিজনাই মোক শক্তি দিলে
আৰু মোক বিশ্বাসী জ্ঞান কৰি পৰিচৰ্যা পদত নিযুক্ত কৰিলে, সেই প্ৰভু
খ্ৰীষ্ট যীচুক মই ধন্যবাদ জনাওঁ৷ ১৩ যদিও আগেয়ে মই খ্ৰীষ্টৰ নিন্দক
আছিলোঁ, অত্যাচাৰী আৰু হিংস্ৰ আছিলোঁ, তথাপি তেওঁ মোক দয়া
কৰিলে কাৰণ মই নুবুজি অবিশ্বাসী হৈ সেইবোৰ কৰিছিলোঁ৷ ১৪ কিন্তু
আমাৰ প্ৰভুৰ অনুগ্ৰহ, খ্ৰীষ্ট যীচুত বিশ্বাস আৰু প্ৰেমৰ সৈতে মোক

বাহুল্যৰূপে দিয়া হ'ল৷ ১৫ পাপী লোকৰ পৰিত্ৰাণ কৰিবৰ কাৰণে খ্ৰীষ্ট
যীচু যে জগতলৈ আহিল, এই কথা বিশ্বাসযোগ্য আৰু সকলোৱে গ্ৰহণ
কৰিবৰ যোগ্য৷ আৰু এই পাপী লোকৰ মাজত ময়েই প্ৰধান। ১৬ এই
কাৰণেই মোক প্ৰথমে দয়া কৰা হ'ল যাতে প্ৰধান পাপী যি মই, মোৰ
যোগেদি যেন যীচু খ্ৰীষ্টই তেওঁৰ অসীম সহনশীলতা দেখুৱাব পাৰে
আৰু অনন্ত জীৱন পাবলৈ যি সকলে তেওঁৰ ওপৰত বিশ্বাস কৰিব,
সেই সকলৰ বাবে মোক এক দৃষ্টান্ত স্বৰূপে ৰাখিলে৷ **(aiōnios g166)**
১৭ এতিয়া অনন্ত কালৰ ৰজালৈ, অাৰু চিৰস্থায়ী, অদৃশ্য একমাত্ৰ
ঈশ্বৰলৈ মৰ্যদা আৰু গৌৰৱ চিৰকাল হওক। আমেন। **(aiōn g165)** ১৮
মই তোমাক এই আদেশ দিওঁ, হে মোৰ পুত্ৰ তীমথিয়; মই তোমাৰ
সম্বন্ধে জনোৱা ভাৱবাণীৰ দৰে, তুমি তাতে একমত হৈ সেই অনুসাৰে
যেন উত্তম যুজঁত প্ৰাণপণ কৰা৷ ১৯ আৰু তুমি যেন বিশ্বাস আৰু উত্তম
বিবেক ৰক্ষা কৰি চলা৷ কোনো কোনো লোকে সেই বিশ্বাস আৰু উত্তম
বিবেক ত্যাগ কৰাত, তেওঁলোকৰ বিশ্বাসৰূপ নৌকা ভগ্ন হ'ল। ২০
তেওঁলোকৰ ভিতৰত হুমিনায় আৰু আলেকজেন্দাৰ নামৰ দুজনো
আছে৷ এওঁলোকে যেন নিন্দা কৰিবলৈ পুণৰ নিশিকে, তাৰ বাবে মই
এওঁলোকক চয়তানৰ হাতত সমৰ্পণ কৰি দিলোঁ৷

২ মোৰ প্ৰথম নিবেদন এই যে, সকলোবোৰ মানুহৰ কাৰণে অনুৰোধ,
প্ৰাৰ্থনা, নিবেদন আৰু ধন্যবাদ কৰা হওক৷ ২ ইয়াৰ বাবে ৰজা আৰু
অধিকাৰী সকলৰ কাৰণে প্ৰাৰ্থনা কৰিব লাগে, যাতে আমি সকলো
ঈশ্বৰভক্তই সততাত থাকি ক্ষান্ত আৰু শান্তিপূৰ্ণ জীৱন-যাপন কৰিব
পাৰোঁ; ৩ এয়ে আমাৰ ত্ৰাণকৰ্তা ঈশ্বৰৰ দৃষ্টিত উত্তম আৰু গ্ৰহণীয়৷ ৪
তেওঁৰ ইচ্ছা এয়ে যে, সকলো মানুহে যেন পৰিত্ৰাণ আৰু সত্যৰ জ্ঞান
পায়। ৫ কাৰণ ঈশ্বৰ এজন আৰু তেওঁৰ সৈতে মানুহৰ মাজত মধ্যস্থও
এজন, তেৱেঁই মনুষ্য খ্ৰীষ্ট যীচু; ৬ তেওঁ সকলো মানুহৰ কাৰণে
মুক্তিৰ মূল্য হিচাবে নিজৰ জীৱন দান কৰিলে৷ যীচুৰ এই কাৰ্যই সঠিক
সময়ত সকলোকে সাক্ষ্য দিলে৷ ৭ এই সাক্ষ্য দিবৰ কাৰণে মোক
এজন ঘোষণাকাৰী আৰু পাঁচনি ৰূপে নিযুক্ত কৰিলে৷ মই বিশ্বাস আৰু
সত্যত অনা-ইহুদী সকলৰ শিক্ষক হলোঁ৷ মই সঁচা কথা কওঁ; মই মিছা

নকওঁ৷ ৮ মোৰ ইচ্ছা এয়ে যে, সকলো ঠাইতে পুৰুষ সকলে ক্ৰোধ আৰু
বাদ-বিবাদৰ মনোভাৱ নাৰাখি পবিত্ৰ হাত দাঙি প্ৰাৰ্থনা কৰক৷ ৯
সেইদৰে মই বিচাৰো, মহিলা সকলেও সুলাজ, নম্ৰ আৰু সুবোধেৰে
সৈতে পৰিপাটি পোছাকেৰে নিজকে ভূষিত কৰক; নানা ধৰণৰ কেশ-
বিন্যাস কৰি, সোণ বা মুক্তা পিন্ধি অথবা বহুমূল্য কাপোৰেৰে নহয়;
১০ কিন্তু ঈশ্বৰভক্তি স্বীকাৰ কৰা বিষয়ত হ'লে, সৎ কাৰ্যৰ দ্বাৰাই
ঈশ্বৰভক্তৰ পৰিচয় দিয়াই মহিলা সকলৰ উপযুক্ত ভূষণ হওক৷ ১১
মহিলা সকলে সম্পূৰ্ণ বাধ্যতা আৰু নীৰৱতাৰে বশৱৰ্ত্তী হৈ শিক্ষা গ্ৰহন
কৰক। ১২ শিক্ষা দিবৰ বাবে বা পুৰুষৰ ওপৰত ক্ষমতা চলাবৰ বাবে
মই মহিলাক অধিকাৰ নিদিওঁ; কিন্তু শান্তভাবে থাকিবলৈহে কওঁ।
১৩ কিয়নো প্ৰথমে আদমক পাছতহে হাৱাক নিৰ্ম্মাণ কৰা হৈছিল;
১৪ আৰু আদমক ভুলুউৱা নহ'ল কিন্তু মহিলা গৰাকীক সম্পূৰ্ণভাৱে
ভুলাই অপৰাধত পেলালে; ১৫ তথাপি যদি সুবোধেৰে সৈতে বিশ্বাস,
প্ৰেম আৰু পবিত্ৰতাত থাকি তেওঁলোকে জীৱন-যাপন কৰে, তেনেহলে
মহিলাই সন্তান প্ৰসৱৰ দ্বাৰাই পৰিত্ৰাণ পাব৷

৩ কোনোৱে যদি অধ্যক্ষ পদৰ বাবে আকাংক্ষা কৰে, তেনেহলে তেওঁ
উত্তম কৰ্মলৈ ইচ্ছা কৰে, এই কথা বিশ্বাসযোগ্য। ২ এতেকে অধ্যক্ষ
নিৰ্দোষী, এজনী তিৰোতাৰ স্বামী, পৰিমিত ভোগী, বিবেচক, পৰিপাটি,
অতিথি সেৱক, শিক্ষা দিয়াত নিপুন ৩ আৰু মদপী বা প্ৰহাৰক নহৈ,
ক্ষান্ত স্বভাৱী, নিৰ্ব্বিৰোধী, নিৰ্লোভী, অৰ্থাৎ ধনক প্ৰেম নকৰা উচিত৷ ৪
সেই লোক জনে যেন নিজৰ ঘৰৰ লোক সকলক উত্তমৰূপে শাসন কৰে
আৰু তেওঁৰ সন্তানবোৰে যেন সকলো সন্মানেৰে তেওঁক মানি চলে৷ ৫
কিয়নো এজন লোকে যদি নিজৰ ঘৰৰ লোক সকলকেই শাসন কৰিব
নোৱাৰে তেনেহলে তেওঁ কেনেকৈ ঈশ্বৰৰ মণ্ডলীৰ তত্ত্বাৱধান কৰিব?
৬ তেওঁ নতুন শিষ্য হব নালাগে, কিয়নো তেওঁ যেন গৰ্ব-অহংকাৰত
নপৰে আৰু চয়তানৰ দ্বাৰা যেন দণ্ড পোৱা নহয়৷ ৭ ইয়াৰ ওপৰিও
তেওঁ বাহিৰত থকা লোক সকলৰ মাজত সুখ্যাতিযুক্ত হোৱা দৰকাৰ,
যাতে তেওঁ নিন্দিত নহয় আৰু চয়তানৰ ফান্দত নপৰে; এই কাৰণে
সুখ্যাতি থকা লোক হব লাগে৷ ৮ সেইদৰে পৰিচাৰক সকল ধীৰ,

শ্ৰদ্ধাৰ যোগ্য হব লাগে; তেওঁলোক দুতলীয়া, কথকী, দ্ৰাক্ষাৰসত অতি
আসক্ত থকা আৰু কুচ্ছিত লাভ বিচৰা লোক হব নালাগে৷ ৯ তেওঁলোকে
সদায় নিৰ্মল বিবেকত বিশ্বাসৰ নিগূঢ়-তত্ত্ব সাঁচি ৰখা উচিত৷ ১০ প্ৰথমে
তেওঁলোকে নিজকে পৰীক্ষা কৰক, পাছত নিৰ্দোষী হলেহে পৰিচাৰকৰ
কাৰ্য কৰক। ১১ পৰিচাৰিকা মহিলা সকলো সন্মানৰ যোগ্য হব লাগে৷
তেওঁলোক যেন অপবাদ দিওতা নহয়, কিন্তু নিজক সংযম কৰি ৰখা,
ধীৰ, আৰু সকলো বিষয়তে তেওঁলোক যেন বিশ্বাসযোগ্য হয়৷ ১২
পৰিচাৰক সকলে এগৰাকী মহিলাৰ স্বামী হৈ নিজ নিজ সন্তান আৰু
নিজ ঘৰ খন উত্তমৰূপে শাসন কৰক। ১৩ কিয়নো যি পৰিচাৰক
সকলে উত্তমৰূপে পৰিচাৰকৰ কাৰ্য কৰে, তেওঁলোকে নিজলৈ সুনাম
অৰ্জন কৰে আৰু খ্ৰীষ্ট যীচুত তেওঁলোক বিশ্বাসত সাহসী হয়৷ ১৪ মই
তোমাৰ বাবে এইবোৰ কথা লিখিলোঁ আৰু সোনকালে মই তোমাৰ
তালৈ যাবলৈ আশা কৰি আছোঁ৷ ১৫ কিন্তু মই যদি পলমো কৰোঁ,
তথাপি তুমি সত্যতাৰ স্তম্ভ আৰু ভিত্তিমুল স্বৰূপ যি ঈশ্বৰৰ গৃহ, অৰ্থাৎ
জীৱনময় ঈশ্বৰৰ মণ্ডলীত কেনে আচাৰ-ব্যৱহাৰ কৰিব লাগে, সেই
বিষয়ে জানিবৰ বাবে এইবোৰ কথা তোমালৈ লিখিলোঁ; কিয়নো মণ্ডলী
হৈছে সত্যৰ স্তম্ভ আৰু ভিত্তিমুল৷ ১৬ আৰু একেলগে আমি একমত হৈ
কওঁ যে, “ভক্তিৰ নিগূঢ় সত্য অতি মহান৷ তেওঁ মাংসত প্ৰকাশিত হ’ল,
আত্মাত ধাৰ্মিক বুলি গণিত কৰা হ’ল, দূতবোৰৰ দ্বাৰাই দেখা পোৱা
গ’ল, অন্যান্য জাতি সকলৰ আগত ঘোষণা কৰা হ’ল, জগতত বিশ্বাস
কৰা হ’ল, প্ৰতাপত তুলি নিয়া হ’ল।”

**4** পবিত্ৰ আত্মাই স্পষ্টকৈ কৈছে যে, আহিবলগীয়া দিনত কিছুমান
মানুহ বিশ্বাসৰ পৰা আতৰি গৈ ভ্ৰান্তিজনক আত্মাত আৰু ভূতবোৰৰ
শিক্ষাত তেওঁলোকে মনযোগ দিব, ২ কপট আচৰণেৰে মিছা কথা
কোৱা সকলৰ দ্বাৰাই এইবোৰ শিক্ষা দিয়া হব৷ এনে লোক সকলে
নিজৰ বিবেকৰ বিৰুদ্ধে তপত লোৰ দাগ দি নিজক অসাৰ কৰে৷ ৩
এনে মিছলীয়াবোৰে বিয়া কৰাবলৈ নিষেধ কৰে আৰু কিছুমান খাদ্যও
খাবলৈ নিষেধ কৰে, কিন্তু যি খাদ্য ঈশ্বৰে স্ৰজন কৰিছে; সেই খাদ্য যি
সকলে সত্যক জানি বিশ্বাস কৰিলে, তেওঁলোকে ঈশ্বৰক ধন্যবাদ

দি গ্ৰহণ কৰিব পাৰে৷ ৪ কিয়নো ঈশ্বৰৰ সৃষ্ট সকলো বস্তুৱেই উত্তম আৰু ধন্যবাদেৰে সৈতে গ্ৰহণ কৰিলে, একোৱেই অগ্ৰাহ্য নহয়, ৫ যিহেতু ঈশ্বৰৰ বাক্য আৰু প্ৰাৰ্থনাৰ দ্বাৰাই সকলোকে পবিত্ৰ কৰা হয়। ৬ এই সকলো কথা ভাই সকলক মনত পেলাই দিলে, তুমি খ্ৰীষ্ট যীচুৰ এজন উত্তম পৰিচাৰক হবা৷ কাৰণ বিশ্বাসৰ বাক্য আৰু উত্তম শিক্ষাৰ অনুকাৰী হৈ তুমি প্ৰতিপালিত হৈছা৷ ৭ কিন্তু নিন্দাযুক্ত, অপবিত্ৰ আৰু বুঢ়ী মানুহৰ অনৰ্থক গল্প-কথাত মন নিদি, ভক্তিত নিপুণ হবলৈ অভ্যাস কৰিবা। ৮ কিয়নো শৰীৰচৰ্চ্চাই কেৱল অলপহে উপকাৰ কৰে, কিন্তু ভক্তি সকলো বিষয়ত লাভজনক, কাৰণ সেয়ে বৰ্ত্তমান আৰু ভবিষ্যত জীৱনৰ আয়ুস লাভৰ নিশ্চয়তা প্ৰদান কৰে। ৯ এই কথা বিশ্বাসযোগ্য আৰু সকলোৱে গ্ৰহন কৰিব পৰা, সম্পূৰ্ণ উপযোগী। ১০ কিয়নো এই আশয়েৰেই আমি পৰিশ্ৰম কৰোঁ আৰু প্ৰাণপণে কষ্ট কৰোঁ৷ কাৰণ যি জন সকলো লোকৰ, বিশেষকৈ বিশ্বাসী সকলৰ ত্ৰাণকৰ্তা, সেই জীৱনময় ঈশ্বৰৰ ওপৰত আমি ভাৰসা কৰোঁ। ১১ তুমি এইবোৰ কথা আজ্ঞা দিয়া আৰু শিকোৱা। ১২ তোমাৰ অলপ বয়সক হেয়জ্ঞান কৰিবলৈ কাকো নিদিবা; কিন্তু তুমি বাক্যত, আচাৰ-ব্যৱহাৰত, প্ৰেমত, বিশ্বাসত আৰু শুদ্ধতাত, বিশ্বাস কৰা লোক সকলৰ আৰ্হি হোৱা। ১৩ মই নোযোৱালৈকে তুমি পঢ়াত, উদগণি দিয়াত আৰু শিক্ষা দিয়াত মনোযোগ দি থাকিবা। ১৪ যি বৰ তোমাক দিয়া হৈছে, সেই বৰ অৱহেলা নকৰিবা; পৰিচাৰক সকলে যি সময়ত তোমাৰ ওপৰত হাত দিছিল, সেই সময়ত সেই বৰ ভাৱবাণীৰ দ্বাৰাই তোমাৰ ওপৰত অৰ্পিত হৈছিল। ১৫ এই বিষয়বোৰত মনোযোগ দি কাৰ্য কৰা আৰু সেইদৰে চলা, তেতিয়াই সকলো লোকৰ আগত তোমাৰ বিশ্বাসৰ বৃদ্ধি আৰু বিশ্বাসৰ ভেটি প্ৰকাশ পাব। ১৬ তুমি নিজৰ জীৱন আৰু শিক্ষা দিয়া বিষয়ত সাৱধান হোৱা আৰু এই দায়িত্ববোৰ পালন কৰিবা। ইয়াকে কৰিলে তুমি নিজকে আৰু তোমাৰ কথা শুনা লোক সকলকো পৰিত্ৰাণ কৰাব পাৰিবা।

**৫** বৃদ্ধ সকলৰ প্ৰতি কটুবাক্য ব্যৱহাৰ নকৰিবা, কিন্তু তেওঁলোকক পিতৃৰ নিচিনাকৈ, ডেকা সকলক ভাইৰ নিচিনাকৈ উৎসাহিত কৰিবা৷

২ বৃদ্ধা মহিলা সকলক মাতৃৰ নিচিনাকৈ আৰু যুৱতী সকলক সম্পূৰ্ণ
শুদ্ধতাৰে ভনীৰ নিচিনাকৈ বিনয় কৰিবা। ৩ যি সকল প্ৰকৃত বিধৱা,
সঁচাই অকলশৰীয়া সেই সকলক সমাদৰ কৰিবা। ৪ কিন্তু যদি কোনো
বিধৱাৰ সন্তান বা নাতি-নাতিনী থাকে, তেনেহলে তেওঁলোকে প্ৰথমে
নিজৰ ঘৰৰ লোক সকলৰ প্ৰতি শ্ৰদ্ধা-ভক্তি দেখুৱাবলৈ আৰু নিজ
পিতৃ-মাতৃৰ প্ৰতি উপকাৰ কৰিবলৈ শিকক, কিয়নো এয়ে ঈশ্বৰৰ
দৃষ্টিত গ্ৰহণীয়। ৫ কিন্তু যি গৰাকী প্ৰকৃত বিধৱা আৰু অকলশৰীয়া,
তেওঁ ঈশ্বৰত কৰা বিশ্বাস সুনিশ্চিত ৰাখি, ৰাতিয়ে-দিনে নিবেদন আৰু
প্ৰাৰ্থনাত আসক্ত থাকক। ৬ কিন্তু যি গৰাকী ইন্দ্ৰিয় সুখত মগ্ন থাকে,
তেওঁ জীয়াই থাকিও মৰা। ৭ এইবোৰৰ বিষয়ে তুমি আদেশ দিবা,
যাতে তেওঁলোক নিৰ্দোষী হয়। ৮ কিন্তু কোনোৱে যদি আপোন লোকৰ,
বিশেষকৈ নিজৰ ঘৰৰ পৰিয়ালৰ বাবে চিন্তা নকৰে, তেনেহলে তেওঁ
বিশ্বাস অস্বীকাৰ কৰিলে আৰু এজন অবিশ্বাসী লোকতকৈয়ো অধম
হ'ল। ৯ এগৰাকী বিধৱা বুলি এনে মহিলা সকলৰ নাম তালিকাভুক্ত
হওক: যি গৰাকীৰ বয়স ষাঠিতকৈ কম নহয় আৰু তেওঁ এজন স্বামীৰ
ভাৰ্যা আছিল। ১০ তেওঁৰ এনেবোৰ সৎকামৰ কাৰণে সুনাম থকা
উচিত; অৰ্থাৎ যদি তেওঁ সন্তানবোৰক লালন-পালন কৰি থাকে,
আলহী সুধি থাকে, পবিত্ৰ লোক সকলৰ ভৰি ধুৱাই থাকে, ক্লেশ
পোৱাবোৰৰ উপকাৰ কৰে, আৰু সকলো সৎ কৰ্মৰ অনুগামী হৈ থাকে,
এই সকলো সৎকৰ্মৰ বাবে সেই জনীয়ে সুখ্যাতি পোৱা উচিত৷ ১১
কিন্তু যুৱতী বিধৱা সকলক গ্ৰহণ নকৰিবা, কিয়নো তেওঁলোকে ইন্দ্ৰিয়-
সুখাভিলাষিনী হৈ খ্ৰীষ্টৰ বিৰুদ্ধে গৈ বিয়া হবলৈ ইচ্ছা কৰিব। ১২
এইদৰে তেওঁলোকে পূৰ্বৰ শপত প্ৰত্যাহাৰ কৰাৰ কাৰণে পাপত আৱদ্ধ
হয়। ১৩ ইয়াৰ উপৰি তেওঁলোকে ঘৰে ঘৰে ঘূৰি ফুৰি অকৰ্মন্য হৈ
পৰে আৰু মাত্ৰ অকৰ্মন্যই নহয়, পৰচৰ্চা আৰু লোকৰ কামত হস্তক্ষেপ
কৰি, অনৰ্থক কথাবোৰ কবলৈ শিকে, এইবোৰ তেওঁলোকে কৰা
উচিত নহয়। ১৪ এতেকে মোৰ আজ্ঞা এই যে, যুৱতী বিধৱা সকলে
তিৰস্কাৰৰ অৰ্থে বিপক্ষক কোনো সুযোগ নিদিবৰ বাবে তেওঁলোকে
পুণৰ বিয়া কৰাওক, সন্তানৰ মাক হওক, আৰু ঘৰ-সংসাৰ কৰক। ১৫

কিয়নো ইতিমধ্যে কোনো কোনোৱে এনেদৰে চয়তানৰ পাছত বিপথে
গ'ল। ১৬ যদি কোনো বিশ্বাসী মহিলাৰ মাজত বিধৱা সকল থাকে,
তেনেহলে মণ্ডলীক ভাৰগ্ৰস্ত নকৰি তেৱেঁই সেই সকলৰ উপকাৰ কৰক
যাতে মণ্ডলীয়ে স্বৰূপ বিধৱা সকলক সাহায্য কৰিব পাৰে। ১৭ যি যি
পৰিচাৰক সকলে উত্তমৰূপে পৰিচালনা কৰে, বিশেষকৈ যি সকলে
বাক্য আৰু শিক্ষাত পৰিশ্ৰম কৰে, তেওঁলোক দুগুণ সমাদৰৰ যোগ্য-
পাত্ৰ বুলি গণিত হওক। ১৮ কিয়নো ধৰ্মশাস্ত্ৰত কৈছে "মৰণা মাৰোঁতে
গৰুৰ মুখত মোখোৰা নাবান্ধিবা" আৰু "বনুৱা নিজ বেচৰ যোগ্য।" ১৯
পৰিচাৰক সকলৰ বিৰুদ্ধে অহা অপবাদ দুই তিনি জন সাক্ষী নহলে
গ্ৰহন নকৰিবা। ২০ আনবোৰে যেন ভয় কৰে, এই কাৰণে পাপী
সকলক সকলোৰে আগত তিৰস্কাৰ কৰিবা। ২১ ঈশ্বৰ, খ্ৰীষ্ট যীচু আৰু
মনোনীত দূত সকলৰ সাক্ষাতে মই তোমাক এইবোৰ বিধান মানি
চলিবলৈ দৃঢ় আজ্ঞা দিছোঁ৷ কিন্তু সম্পূৰ্ণ সত্য নজনাকৈ তুমি কোনো
বিচাৰ নকৰিবা আৰু পক্ষপাতেৰে একো নকৰিবা।। ২২ কাৰো ওপৰত
হঠাতে হাত নিদিবা আৰু অন্য লোকৰ পাপৰ অংশীদাৰ নহ'বা৷ নিজকে
নিৰ্দোষী কৰি ৰাখিবা। ২৩ তুমি কেৱল পানী নাখাবা, কিন্তু তোমাৰ
পেটৰ কাৰণে আৰু সঘনাই হৈ থকা অসুখৰ কাৰণে অলপ দ্ৰাক্ষাৰস
পান কৰিবা। ২৪ কোনো কোনো মানুহৰ পাপ সুস্পষ্ট আৰু বিচাৰ-
পথত অগ্ৰগামী হয় আৰু কোনো কোনো লোকৰ পাপ পাছত স্পষ্ট
হয়৷ ২৫ ঠিক সেইদৰে মানুহৰ সৎ কৰ্মবোৰো সহজে প্ৰকাশ পায়।
যদিও সেইবোৰৰ কিছুমান স্পষ্ট ৰূপত দেখা পোৱা নাযায়, তথাপি
সেইবোৰক চিৰদিনৰ বাবে গুপ্ত কৰি ৰাখিব নোৱাৰি।

**৬** ঈশ্বৰৰ নাম আৰু শিক্ষা যেন নিন্দিত নহয়, সেই বাবে যুৱলিৰ
অধীন হোৱা দাস সকলে নিজ নিজ প্ৰভুক সম্পূৰ্ণ সমাদৰেৰে যোগ্য
জ্ঞান কৰক। ২ আৰু যি সকল দাস প্ৰভুৰ বিশ্বাসী, তেওঁলোক পৰস্পৰ
ভাই। সেই বাবে দাস সকলে তেখেত সকলক অসন্মান কৰা উচিত
নহয়। বৰং তেওঁলোকে আৰু ভালদৰে সেৱা কাৰ্য কৰা উচিত, যিহেতু
যি সকলে সেৱা লাভ কৰিছে, তেওঁলোকো বিশ্বাসী আৰু প্ৰিয়। এইবোৰ
কথা শিকোৱা আৰু ঘোষণা কৰা। ৩ কোনোৱে যদি ভিন্ন শিক্ষা দিয়ে

আৰু নিৰাময় সত্য বাক্য, যি বাক্য আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ; সেই বাক্য
গ্ৰহন নকৰে, তেওঁ আচলতে ঐশ্বৰীক শিক্ষা গ্ৰহণ নকৰে আৰু ভক্তিৰ
অনুৰূপ শিক্ষাত মান্তি নহয়৷ ৪ তেওঁ অহংকাৰী আৰু একোকে নাজানে,
কিন্তু বাদ-বিচাৰ আৰু বাগযুদ্ধৰূপ ৰোগত ৰোগাগ্ৰস্ত হয়৷ সেইবোৰৰ
পৰাই হিংসা, বিবাদ, নিন্দা, দুষ্ট-ধাৰণাৰ উৎপন্ন হয়৷ ৫ মন-ভ্ৰষ্ট আৰু
সত্যহীন মানুহবোৰৰ পৰাই দ্বন্দ্ব-কাজিয়া উৎপন্ন হয়। তেওঁলোকে
সত্যৰ পৰা আতৰি যায় আৰু ভক্তিক জাগতিক লাভৰ উপায় বুলি
ভাৱে। ৬ কিন্তু যি কৰিবা, আচলতে সন্তুষ্ট মনেৰে কৰিবা; কিয়নো
ঈশ্বৰভক্তিতে সকলো লাভ বিলীন হৈ থাকে। ৭ আমি এই জগতলৈ
একোকে অনা নাই আৰু ইয়াৰ পৰা একো লৈ যাবও নোৱাৰোঁ৷ ৮ সেই
বাবে আমি অন্ন-বস্ত্ৰতে সন্তুষ্ট হব লাগে৷ ৯ কিন্তু যি সকলে ধনৱন্ত হবলৈ
ইচ্ছা কৰে, তেওঁলোকে পৰীক্ষা আৰু ফান্দত পৰে আৰু নানা ধৰণৰ
আৰু হানিজনক অভিলাষত পৰি যি যি কৰে সেইবোৰে তেওঁলোকক
ধ্বংস আৰু বিনাশলৈ লৈ যায়। ১০ ধনক প্ৰেম কৰাই সকলো মন্দ
পথৰ মূল৷ তালৈ আকাংক্ষা কৰি, কোনো কোনো মানুহে বিশ্বাসৰ পৰা
ভ্ৰান্ত হৈ যাতনা ৰূপ শলাৰে নিজকেই খোচ মাৰে। ১১ কিন্তু, হে ঈশ্বৰৰ
লোক, তুমি এই সকলোৰে পৰা পলোৱা৷ ধাৰ্মিকতা, ভক্তি, বিশ্বাস,
প্ৰেম, ধৈৰ্য, মৃদুভাৱ, এইবোৰক অনুসৰণ কৰা। ১২ বিশ্বাসৰ উত্তম
যুদ্ধত প্ৰাণপণ কৰা৷ যি অনন্ত জীৱনৰ বাবে তুমি আমন্ত্ৰিত হ'লা আৰু
অনেক সাক্ষীৰ আগত যি উত্তম বিশ্বাস স্বীকাৰ কৰিলা, তাক তুমি
ধাৰণ কৰি থাকা৷ **(aiōnios g166)** ১৩ সকলোৰে জীৱন দিওঁতা ঈশ্বৰৰ
সাক্ষাতে আৰু যি জনে পন্তীয় পীলাতৰ আগত সেই উত্তম স্বীকাৰৰূপে
সাক্ষ্য দিছিল, সেই খ্ৰীষ্ট যীচুৰ সাক্ষাতেও, মই তোমাক এই আজ্ঞা
দিছোঁ যে, ১৪ আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ আবিৰ্ভাৱ নোহোৱালৈকে, এই
আদেশ নিষ্কলঙ্ক আৰু নিৰ্দোষীকৈ ৰাখিবা৷ ১৫ সেই পৰমধন্য ঈশ্বৰ, যি
জন একমাত্ৰ পৰাক্ৰমী, ৰাজত্ব কৰা ৰজা আৰু শাসন কৰা প্ৰভু, তেৱেঁই
সঠিক সময়ত তেওঁক আবিৰ্ভাৱ কৰাব। ১৬ যি জন একমাত্ৰ অধিকাৰী
আৰু অগম্য দীপ্তি-নিবাসী৷ কোনো মানুহে কেতিয়াও তেওঁক দেখা নাই
আৰু দেখা পাবও নোৱাৰে৷ তেওঁৰেই সমাদৰ আৰু অনন্ত পৰাক্ৰম

হওক। আমেন। (aiōnios g166) ১৭ যি সকল এই জগতত ধনৱন্ত,
তেওঁলোকক এই আজ্ঞা দিয়া যে, তেওঁলোক উচ্চমনা নহওক আৰু
তেওঁলোকে অনিশ্চিত ধন-সম্পদত ভাৰসা নকৰক৷ যি ঈশ্বৰে, আমি
ভোগ কৰিবলৈ সকলোকে বাহুল্যৰূপে আমাক দিছে, সেই ঈশ্বৰত
ভাৰসা কৰক৷ (aiōn g165) ১৮ তেওঁলোকক ভাল কৰ্ম কৰিবলৈ; ভাল
কৰ্মবোৰত ধনী হৈ উদাৰ আৰু ভগাই লবলৈকো ইচ্ছুক হবলৈ কোৱা
উচিত। ১৯ আৰু সেইৰূপে প্ৰকৃত জীৱন-ধাৰণ কৰি পৰকালৰ বাবে
নিজৰ অৰ্থে তেওঁলোকে উত্তম ভিত্তিমূল স্বৰূপ ধন সাঁচক। ২০ হে
তীমথিয়, তোমাক যি গতাই দিয়া হ'ল, তাক পহৰা দি সুৰক্ষিত কৰি
ৰাখিবা৷ তথাকথিত মিথ্যা জ্ঞানৰ অসাৰ কথা-বতৰা আৰু তৰ্ক-বিতৰ্কৰ
মাজলৈ নাযাবা ২১ কোনো কোনোৱে সেই ধৰণৰ জ্ঞান প্ৰকট কৰি
স্বীকাৰ কৰা বিশ্বাসৰ পথৰ পৰা এফলীয়া হৈ গ'ল৷ ঈশ্বৰৰ অনুগ্ৰহ
তোমালোক সকলোৰে লগত থাকক।

# ২ তীমথিয়

**১** মই পৌল, খ্ৰীষ্ট যীচুত থকা জীৱনৰ প্ৰতিজ্ঞা অনুসৰি, ঈশ্বৰৰ ইচ্ছাৰ
দ্বাৰাই খ্ৰীষ্ট যীচুৰ নিযুক্ত পাঁচনি; ২ প্ৰিয় পুত্ৰ তীমথিয়ৰ সমীপলৈ:
পিতৃ ঈশ্বৰ আৰু আমাৰ প্ৰভু খ্ৰীষ্ট যীচুৰ পৰা অনুগ্ৰহ, দয়া আৰু শান্তি
তোমালৈ হওক। ৩ মই ঈশ্বৰক ধন্যবাদ দিওঁ, যি জন ঈশ্বৰক মোৰ
পূৰ্বপুৰুষৰ দিনৰে পৰা আৰাধনা কৰি অহা হৈছে, সেই জন ঈশ্বৰকে
মই নিৰ্মল বিবেকেৰে আৰাধনা কৰোঁ; সেই জনৰ ওচৰত নিতৌ দিনে-
ৰতিয়ে প্ৰাৰ্থনা কৰাৰ সময়ত তোমাক সোঁৱৰণ কৰোঁ, ৪ তোমাৰ
চকুলো আনন্দেৰে পূৰ হোৱা চাবলৈ মই অতিশয় হাবিয়াহ কৰি আছোঁ।
৫ যি বিশ্বাস প্ৰথমে তোমাৰ বুঢ়ী মা লোয়ী আৰু তোমাৰ মাতৃ উনীকীৰ
অন্তৰত বাস কৰিছিল, বোধ কৰোঁ তেনে অকপট বিশ্বাস তোমাৰ
অন্তৰতো বাস কৰিছে বুলি মই সুনিশ্চিত। ৬ এই কাৰণে মই তোমাক
সোঁৱৰাইছো যে, মোৰ হাত তোমাৰ ওপৰত দিয়াৰ দ্বাৰাই ঈশ্বৰৰ যি
অনুগ্ৰহৰ বৰ তোমাক দান কৰা হ'ল, সেই বৰ পুনৰ জাগ্ৰত কৰা। ৭
কিয়নো ঈশ্বৰে আমাক ভয়ৰ আত্মা দিয়া নাই, কিন্তু শক্তি, প্ৰেম আৰু
সুবুদ্ধিৰ আত্মা দিলে। ৮ এতেকে আমাৰ প্ৰভুৰে দিয়া সাক্ষ্যৰ বিষয়ে
আৰু তেওঁৰ অৰ্থে বন্দীয়াৰ হোৱা যি মই পৌল, মোৰো বিষয়ে তুমি
লজ্জিত নহবা কিন্তু ঈশ্বৰৰ শক্তি অনুসাৰে, শুভবাৰ্তাৰ কাৰণে মোৰে
সৈতে ক্লেশ ভোগ কৰা, ৯ কাৰণ তেৱেঁই আমাক পৰিত্ৰাণ কৰিলে
আৰু পবিত্ৰ আমন্ত্ৰণেৰে আমন্ত্ৰণো কৰিলে, সেয়ে আমাৰ কৰ্মৰ দৰে
নহয় কিন্তু তেওঁৰ নিজ অভিপ্ৰায় আৰু অনুগ্ৰহৰদৰেহে কৰিলে; যি
অনুগ্ৰহ অনাদি কালৰ পূৰ্বে খ্ৰীষ্ট যীচুত আমাক দিয়া আছিল; **(aiōnios
g166)** ১০ কিন্তু এতিয়া আমাৰ ত্ৰাণকৰ্তা খ্ৰীষ্ট যীচুৰ আবিৰ্ভাৱৰ দ্বাৰাই
প্ৰকাশিত হ'ল; যি জনে মৃত্যুক বিনাশ কৰি, শুভবাৰ্তাৰ দ্বাৰাই জীৱন
আৰু অক্ষয়তাক পোহৰলৈ আনিলে; ১১ সেই শুভবাৰ্তাৰ কাৰণে মোক
ঘোষণাকাৰী, পাঁচনি আৰু শিক্ষক হিচাপে নিযুক্ত কৰিলে। ১২ এই
কাৰণে মই এইবোৰ দুখ ভোগ কৰিলেও লজ্জিত নহওঁ; কিয়নো মই যি
জনক বিশ্বাস কৰিলোঁ, তেওঁক জানো আৰু তেওঁৰ হাতত মই নিজকে
অৰ্পণ কৰি দিলোঁ, তাতে তেওঁ যে সেই দিনৰ কাৰণে মোক পহৰা দি

ৰাখিবলৈ সমৰ্থ, ইয়াকে দৃঢ় প্ৰত্যয় কৰিছোঁ। ১৩ মোৰ যি যি কথা
শুনিলা তাক নিৰাময় বাক্যৰ আৰ্হি হিচাপে লৈ খ্ৰীষ্ট যীচুৰ সম্বন্ধীয়
বিশ্বাস আৰু প্ৰেমত ধাৰণ কৰা। ১৪ যি উত্তম দান তোমাক গতাই দিয়া
হৈছে, সেই দান আমাত নিবাস কৰা পবিত্ৰ আত্মাৰ দ্বাৰাই পহৰা দি
ৰাখিবা। ১৫ ফুগিল্ল আৰু হৰ্মগিনি আদি কৰি এচিয়াত থকা সকলোৱেই
মোৰ পৰা বিমূখ হল৷ এই বিষয়ে তুমি জানি আছা। ১৬ অনীচিমৰ
ঘৰৰ লোক সকলক প্ৰভুৱে দয়া কৰক, কিয়নো তেওঁ বাৰে বাৰে
মোৰ প্ৰাণ জুৰাইছিল আৰু মই বন্দীশালৰ শিকলিত থাকিলেও লাজ
নাপাইছিল; ১৭ বৰং ৰোম নগৰত থাকোঁতে, তেওঁ অতি কষ্টেৰে মোক
বিচাৰি পাইছিল - ১৮ তেওঁ যাতে সেইদিনা প্ৰভুৰ পৰা দয়া পায়,
প্ৰভুৱে এনে অনুগ্ৰহ কৰক, আৰু ইফিচতো তেওঁ কিমান সেৱা শুশ্ৰূষা
কৰিছিল সেই বিষয়েও তুমি ভালকৈ জনা৷

**২** এতেকে হে মোৰ পুত্ৰ, খ্ৰীষ্ট যীচুত থকা যি অনুগ্ৰহ, তাৰ দ্বাৰাই
তুমি বলৱান হোৱা। ২ আৰু অনেক সাক্ষীৰ আগত মোৰ পৰা যি যি
শুনিলা, সেই সকলো কথা অন্য লোকক শিকাবলৈ, বিশ্বাসী আৰু নিপুণ
লোক সকলক সমৰ্পণ কৰা। ৩ খ্ৰীষ্ট যীচুৰ এজন উত্তম সৈনিকৰ
দৰে তুমি মোৰে সৈতে ক্লেশ সহন কৰা। ৪ কোনো এজন লোক
সৈনিকৰ কামত থাকোতে জীৱিকাৰ অৰ্থে অন্য কোনো ব্যবসায়ত
নিজকে আৱদ্ধ হবলৈ নিদিয়ে কিন্তু যি জনে তেওঁক এই পদ দিলে,
তেওঁকহে সন্তুষ্ট কৰিবলৈ চেষ্টা কৰে। ৫ একেদৰে কোনো এজন
খেলুৱৈয়ে যদিও জিকিবলৈ যত্ন কৰে, তথাপি তেওঁ যদি বিধান
অনুসাৰে পালন নকৰে, তেনেহলে তেওঁক মুকুটেৰে বিভূষিত কৰা
নহয়। ৬ পৰিশ্ৰমী খেতিয়কে প্ৰথমেই তেওঁৰ শস্যৰ ভাগ ভোগ কৰিব
লাগে৷ ৭ মই যি যি কলোঁ সেই বিষয়ে বিবেচনা কৰিবা, কিয়নো
প্ৰভুৱে সকলো বিষয় বুজিবলৈ তোমাক জ্ঞান দিব। ৮ মোৰ শুভবাৰ্তাৰ
দৰে, মৃত লোকৰ মাজৰ পৰা তোলা, দায়ুদৰ বংশৰ যীচু খ্ৰীষ্টক
সোঁৱৰণ কৰা৷ ৯ সেই শুভবাৰ্তাৰ সম্বন্ধে মই শিকলিৰ বন্ধনত থাকি
দুষ্কৰ্মীৰ দৰে ক্লেশ ভোগ কৰিছোঁ। কিন্তু ঈশ্বৰৰ সেই বাক্যত হ'লে
শিকলিৰ বন্ধন নাই। ১০ এই কাৰণে যি সকলক মনোনীত কৰা হ'ল

অৰ্থাৎ তেওঁলোকেও অনন্ত গৌৰৱেৰে সৈতে যেন খ্ৰীষ্ট যীচুত থকা
পৰিত্ৰাণ লাভ কৰিব পাৰে, তাৰ কাৰণে মই এই সকলোবোৰকে
সহন কৰিছোঁ। (aiōnios g166) ১১ এই কথা বিশ্বাসযোগ্য: "আমি যদি
তেওঁৰ সৈতে মৰিলোঁ, তেনেহলে তেওঁৰে সৈতে জীৱনৰো ভাগী হম।
১২ আমি যদি সহন কৰোঁ, তেনেহলে তেওঁৰ সৈতে ৰাজত্বও কৰিম৷
আমি যদি তেওঁক অস্বীকাৰ কৰোঁ, তেনেহলে তেৰোঁ আমাক অস্বীকাৰ
কৰিব৷ ১৩ আমি অবিশ্বাসী হলেও, তেওঁ বিশ্বাসী হৈ থাকে, কিয়নো
তেওঁ নিজকে অস্বীকাৰ কৰিব নোৱাৰে।" ১৪ তুমি এই সকলো কথা
তেখেত সকলক সোঁৱৰাই থাকিবা, আৰু বাগযুদ্ধ নকৰিবলৈ প্ৰভুৰ
সাক্ষাতে তেখেত সকলক দৃঢ় আজ্ঞা কৰা, কিয়নো বাগযুদ্ধবোৰে
একো লাভ নজন্মাই কিন্তু শুনা লোক সকলক নাশ কৰে। ১৫ তুমি
নিজকে পৰীক্ষাসিদ্ধ লোক, লাজৰ যোগ্য নোহোৱা কৰ্মী আৰু সত্যৰ
বাক্য শুদ্ধকৈ কোৱাত নিপুনহবলৈ ঈশ্বৰৰ অনুমোদন পাবৰ বাবে যত্ন
কৰা। ১৬ কিন্তু নিন্দাযুক্ত কথাবোৰৰ পৰা পৃথক থাকিবা, কিয়নো
এইবোৰে অধিকৰূপে ঈশ্বৰক অবিশ্বাস কৰিবলৈ বাট দেখুৱাই লৈ যায়৷
১৭ এনে কথাবোৰ বিয়পি পৰে আৰু গেলা ঘাৰ দৰে নষ্ট কৰি বিস্তাৰ
লাভ কৰে, এনে লোকবোৰৰ ভিতৰতে হুমিনায় আৰু ফিলীতো আছে,
১৮ তেওঁলোক সত্য পথৰ পৰা ভ্ৰষ্ট হোৱা৷ তেওঁলোকে পুনৰুত্থান হৈ
যোৱা বুলি প্ৰচাৰ কৰি কিছুমান লোকৰ বিশ্বাস বিনষ্ট কৰিছে। ১৯
তথাপি ঈশ্বৰে স্থাপন কৰা দৃঢ় ভিত্তিমূল থিৰে থাকে আৰু তাৰ ওপৰত
এই কথা মোহৰ মৰা আছে, বোলে- "প্ৰভুৱে তেওঁৰ লোক সকলক
জানে," আৰু "যি কোনোৱে প্ৰভুৰ নাম লয়, তেওঁ অধাৰ্মিকতাৰ পৰা
দূৰ হওক।" ২০ কিয়নো ডাঙৰ ঘৰত কেৱল সোণ ৰূপৰ পাত্ৰহে থাকে,
এনে নহয়, কাঠৰ আৰু মাটিৰ পাত্ৰও থাকে৷ তাৰে কিছুমান সমাদৰৰ
কাৰণে আৰু কিছুমান অনাদৰৰ কাৰণে। ২১ এতেকে কোনোৱে যদি
এইবোৰৰ পৰা নিজকে শুচি কৰি ৰাখে, তেনেহলে তেওঁ সমাদৰৰ
পাত্ৰ, পবিত্ৰীকৃত, প্ৰভুৰ কাৰ্যৰ বাবে উপযোগী আৰু সকলো সৎ কৰ্মৰ
বাবে প্ৰস্তুত থাকিব। ২২ কিন্তু তুমি যৌৱন কালৰ অভিলাষৰ পৰা
পলোৱা আৰু ধাৰ্মিকতা, বিশ্বাস, প্ৰেম, শান্তি আৰু নিৰ্মল মনেৰে প্ৰভুলৈ

প্ৰাৰ্থনা কৰা লোক সকলৰ সৈতে এক হৈ সেইবোৰক অনুসৰণ কৰা৷
২৩ কিন্তু মূৰ্খতা আৰু অযথা কথাবোৰৰ পৰা দূৰত থাকা৷ কিয়নো
এইবোৰে বিৰোধ জন্মায় কাজিয়া সৃষ্টি কৰে৷ ২৪ প্ৰভুৰ দাসে বিৰোধ
কৰিব নালাগে কিন্তু সকলোকে মৃদুশীল, শিক্ষা দিয়াত নিপুন আৰু
অপকাৰত সহনীয় হৈ, ২৫ বিৰোধ কৰাবোৰক মৃদুভাৱে শিক্ষা দিব
লাগে৷ তেতিয়া সেই সত্যৰ তত্ব জ্ঞানৰ অৰ্থে ঈশ্বৰে তেওঁলোকক মন-
পালটনৰ বৰ দিব ২৬ আৰু চয়তানৰ ইচ্ছা সাধনৰ অৰ্থে তাৰ ফান্দত
বন্দী হৈ থাকিলেও তেওঁলোকে চেতনা পাব।

৩ কিন্তু ইয়াকে জানিবা যে, শেষ-কালত ভয়ঙ্কৰ সময় উপস্থিত হব।
২ কিয়নো সেই কালত মানুহবোৰ নিজকে নিজে প্ৰেম কৰোঁতা, ধন
লুভীয়া, দৰ্পী, অহংকাৰী, নিন্দক, পিতৃ-মাতৃৰ প্ৰতি অবাধ্য, অকৃতজ্ঞ,
অপবিত্ৰ, ৩ স্নেহহীন, বুজনি নমনা, অপবাদক, ইন্দ্ৰিয়-দমন নকৰা,
উগ্ৰ, সাধুক ঘিণাওঁতা, ৪ বিশ্বাসঘাতক, আঁকোৰগোজ, মদগৰ্বী,
ঈশ্বৰ প্ৰেম কৰাতকৈ বৰং সুখ প্ৰিয় হব৷ ৫ তেওঁলোকে ধাৰ্মিকতাৰ
আকাৰ ধাৰণ কৰিব, কিন্তু তাৰ শক্তি অস্বীকাৰ কৰিব। এনে লোক
সকলৰ পৰা তুমি আতৰি থাকিবা। ৬ কিয়নো তেওঁলোকৰ কিছুমান
মানুহে, ছলেৰে পৰৰ ঘৰত সোমাই, নিৰ্ব্বুদ্ধি তিৰোতা সকলক মোহিত
কৰি বন্দীনীৰ তুল্য কৰিলে আৰু পাপত ভাৰাক্ৰান্ত কৰি নানা বিধ
অভিলাষেৰে চালিত কৰিলে৷ ৭ এই তিৰোতা সকলে সদায় নতুন শিক্ষা
পাবৰ বাবে চেষ্টা কৰে, কিন্তু সত্যৰ তত্ব-জ্ঞান পাবলৈ হলে কেতিয়াও
সমৰ্থ নহয়৷ ৮ যেনেকৈ যান্নি আৰু যামব্ৰিয়ে মোচিৰ বিৰোধীতা
কৰিছিল, তেনেকৈ এই মিছা শিক্ষক সকলেও সত্যতাৰ প্ৰতিৰোধ
কৰিছিল৷ তেখেত সকল মন ভ্ৰষ্ট আৰু বিশ্বাসৰ সম্বন্ধে অপ্ৰমাণিক৷।
৯ কিন্তু তেখেত সকলে অধিক আগবাঢ়িব নোৱাৰিব, কিয়নো সেই
দুজনৰ দৰে, তেখেত সকলৰো মূৰ্খতা সকলোৰে আগত প্ৰকাশিত
হব। ১০ কিন্তু তুমি মোৰ শিক্ষা, আচাৰ-ব্যৱহাৰ, অভিপ্ৰায়, বিশ্বাস,
চিৰসহিষ্ণুতা, প্ৰেম, ধৈৰ্য, ১১ তাড়না আৰু দুখভোগ, সেই সকলোৰে
অনুগামী হলা আৰু আন্তিয়খিয়া, ইকনিয়, আৰু লুস্ত্ৰাত মোলৈ কি ঘটনা
ঘটিছিল, সেই বিষয়েও তুমি জানা৷ মই এনে ধৰণৰ তাড়না সহন

কৰিছোঁ যে, সেইবোৰ তাড়নাৰ পৰা ঈশ্বৰেহে মোক উদ্ধাৰ কৰিলে৷
১২ আৰু বাস্তৱিকতে যি সকলে খ্ৰীষ্ট যীচুত ভক্তিভাবে জীৱন-যাপন
কৰিবলৈ ইচ্ছা কৰে, এনে লোক সকলে তাড়না পাব। ১৩ কিন্তু দুষ্ট
আৰু প্ৰবঞ্চক সকলে কিছুমান লোকক বিপথে লৈ যাব আৰু নিজেও
ভ্ৰান্ত হৈ অধিকৰূপে মন্দ হৈ যাব। ১৪ কিন্তু তুমি যি যি শিকিলা আৰু
দৃঢ়তাৰে যি বিশ্বাস পালা, সেই শিক্ষাতে স্থিৰে থাকা, কিয়নো কোন
ব্যক্তিৰ পৰা সেই শিক্ষা পালা, সেই বিষয়ে তুমি জানা। ১৫ আৰু যি
পবিত্ৰ বিধান-শাস্ত্ৰই খ্ৰীষ্ট যীচুৰ সম্বন্ধীয় বিশ্বাসৰ যোগেদি তোমাক
পৰিত্ৰাণৰ অৰ্থে জ্ঞানী কৰিব পাৰে, তাকো তুমি শিশু কালৰে পৰা
জানা। ১৬ সকলো ধৰ্মশাস্ত্ৰ ঈশ্বৰৰ দ্বাৰা নিশ্বাসিত আৰু শিক্ষাৰ বাবে,
অনুযোগৰ বাবে, শুধৰণিৰ বাবে আৰু ধাৰ্মিকতা সম্বন্ধীয় শিক্ষাত
লাভজনক; ১৭ যাতে ঈশ্বৰৰ মানুহ সিদ্ধ আৰু সকলো সৎ কৰ্মৰ কাৰণে
সুসজ্জিত হব পাৰে৷

**4** মই ঈশ্বৰৰ আৰু খ্ৰীষ্ট যীচুৰ দৃষ্টিত, যি জন জীৱিত আৰু মৃত
লোকৰ ভাবী বিচাৰকৰ্তা, তেওঁৰ আবিৰ্ভাৱ আৰু ৰাজ্যৰ শপত দি, মই
তোমাক এই দৃঢ় আজ্ঞা দিওঁ - ২ তুমি বাক্য ঘোষণা কৰা; সময়ত আৰু
অসময়তো উৎসাহী হোৱা; সম্পূৰ্ণ ধৈৰ্য আৰু উপদেশেৰে অনুযোগ
কৰা, ডবিওৱা আৰু উদগোৱা। ৩ কিয়নো লোক সমূহে নিৰাময়
শিক্ষা সহিব নিবিচৰা, এনে সময় আহিব। তেতিয়া তেখেত সকলৰ
খজুওৱা কাণে শুনিব বিচৰা শিক্ষা শুনিবলৈ, নিজ নিজ অভিলাষ
অনুসাৰে নিজৰ চৌপাশে দ'মে দ'মে শিক্ষক কৰি ল'ব। ৪ তেনেকুৱা
লোকবোৰে সত্যৰ পৰা কাণ ঘূৰাই, পৌৰাণিক কথালৈ মনোযোগ
দিব। ৫ কিন্তু তুমি, সকলো বিষয়তে চেতনাযুক্ত হৈ থাকা, ক্লেশ সহন
কৰা, শুভবাৰ্তা প্ৰচাৰকৰ কাৰ্য কৰা, তোমাৰ পৰিচৰ্যা কৰ্ম সম্পূৰ্ণ কৰা।
৬ কিয়নো সম্প্ৰতি মই নৈবেদ্য স্বৰূপে ঢলা হৈছোঁ, আৰু মোৰ প্ৰাণ-
নৌকা মেলিবৰ সময় উপস্থিত হৈছে। ৭ মই সেই উত্তম যুদ্ধত প্ৰাণপণ
কৰিলোঁ, নিৰূপিত পথৰ শেষলৈকে দৌৰিলোঁ, বিশ্বাস ৰাখিলোঁ। ৮
মোৰ বাবে যি ধাৰ্মিকতাৰূপ কিৰীটি সাঁচি ৰখা হৈছে, সেই কিৰীটি
ধাৰ্মিক বিচাৰকৰ্তা প্ৰভুৰ দ্বাৰা সেইদিনা মোক দিয়া হব; আৰু অকল

মোকে নহয়, কিন্তু তেওঁৰ আবিৰ্ভাৱক প্ৰেম কৰা সকলোকে দিব। ৯
মোৰ ওচৰলৈ সোনকালে আহিবলৈ তুমি যত্ন কৰা; ১০ কিয়নো দীমাই
এই বৰ্তমান সংসাৰৰ প্ৰেমত পৰি, মোক ত্যাগ কৰি থিচলনীকীলৈ
গ'ল; ক্ৰীস্কেন্ত গালাতীয়ালৈ আৰু তীত দালমাতিয়ালৈ গ'ল। (aiōn g165)
১১ একমাত্ৰ লূকহে মোৰ লগত আছে। তুমি মাৰ্কক লগত লৈ আহিবা;
কিয়নো পৰিচৰ্যা কৰ্মত তেওঁ মোৰ বাবে উপকাৰী। ১২ তুখিকক
ইফিচলৈ পঠালোঁ। ১৩ ত্ৰোৱা নগৰত মই যি বৰ চোলাটো কাৰ্পৰ
হাতত এৰি আহিলোঁ, তুমি আহোতে সেই চোলাটো আৰু পুস্তকবোৰ,
বিশেষকৈ ছালত লেখা পুস্তক আৰু সামগ্ৰীবোৰ লৈ আহিবা। ১৪
আলেকজেন্দাৰ কঁহাৰে মোৰ অপকাৰ কৰিলে; তেওঁৰ কৰ্ম অনুসাৰে
প্ৰভুৱে তেওঁক প্ৰতিফল দিব। ১৫ তেওঁলৈ তুমিও সাৱধান হবা;
কিয়নো তেওঁ অতিশয়ৰূপে আমাৰ বাক্যৰ প্ৰতিৰোধ কৰিছিল। ১৬ মই
প্ৰথম বাৰ নিজৰ পক্ষে উত্তৰ দিয়াৰ সময়ত, কোনেও মোৰ ফলীয়া হৈ
উপস্থিত নহল; সকলোৱে মোক ত্যাগ কৰিলে; এয়ে তেওঁলোকলৈ
গনিত নহওক। ১৭ কিন্তু মোৰ দ্বাৰাই যেন ঘোষণা কাৰ্য সিদ্ধ হয় আৰু
সকলো অনা-ইহুদী লোকে যেন শুনিবলৈ পায়, এই কাৰণে প্ৰভুৱে
মোৰ ওচৰত থিয় হৈ মোক বলৱান কৰিলে; তাতে মই সিংহৰ মুখৰ
পৰা উদ্ধাৰ পালোঁ। ১৮ প্ৰভুৱে মোক সকলো দুষ্কৰ্মৰ পৰা উদ্ধাৰ
কৰিব আৰু তেওঁৰ স্বৰ্গীয় ৰাজ্যৰ অৰ্থে ৰক্ষা কৰিব; তেওঁৰ মহিমা
চিৰকাল হওক। আমেন। (aiōn g165) ১৯ তুমি প্ৰিস্কা, আক্কিলাক আৰু
অনীচিমৰ ঘৰ লোক সকলক মঙ্গলবাদ দিবা। ২০ ইৰাস্তচ কৰিন্থত
থাকিল, কিন্তু ত্ৰফিম নৰিয়া পৰাত মই তেওঁক মিলীতত থৈ আহিলোঁ।
২১ তুমি জাৰ-কালিৰ আগেয়ে আহিবলৈ যত্ন কৰিবা। উবুল, পূদেন্ত,
লীন, ক্লৌদিয়া ভনী আৰু সকলো ভাইয়ে তোমাক মঙ্গলবাদ কৰিছে।
২২ প্ৰভু তোমাৰ আত্মাৰ লগত থাকক। তোমালোকৰ সৈতে তেওঁৰ
অনুগ্ৰহ থাকক। আমেন৷

# তীত

১ মই পৌল, ঈশ্বৰৰ দাস আৰু যীচু খ্ৰীষ্টৰ নিযুক্ত পাঁচনি; ঈশ্বৰৰ
মনোনীত লোকৰ বিশ্বাস সুদৃঢ় কৰিবলৈ আৰু ঐশ্বৰিক আচৰণৰ সত্যৰ
জ্ঞান প্ৰতিষ্ঠা কৰিবলৈ মই সহায় কৰোঁ। ২ সেই অনন্ত জীৱনৰ আশাত
আমাৰ এই বিশ্বাস আৰু জ্ঞান লাভ হয়। অনাদি কালৰ পূৰ্বেই মিছা
নোকোৱা ঈশ্বৰে এই জীৱন দিয়াৰ প্ৰতিজ্ঞা কৰিছিল। (aiōnios g166)
৩ ঈশ্বৰে তেওঁৰ বাক্য ঠিক ঠিক সময়ত প্ৰচাৰ কৰাৰ দ্বাৰাই প্ৰকাশ
কৰিলে৷ ঈশ্বৰে সেই কাৰ্যৰ ভাৰ মোৰ হাতত তুলি দিলে আৰু আমাৰ
ত্ৰাণকৰ্তা ঈশ্বৰৰ আজ্ঞা অনুসাৰে মই সেই বাক্য প্ৰচাৰ কৰোঁ। ৪
সাধৰণ বিশ্বাসৰ দৰে যথাৰ্থ পুত্ৰ তীতৰ সমীপলৈ। পিতৃ ঈশ্বৰ আৰু
আমাৰ ত্ৰাণকৰ্তা খ্ৰীষ্ট যীচুৰ পৰা অনুগ্ৰহ, দয়া আৰু শান্তি তোমালৈ
হওক। ৫ অসম্পূৰ্ণ কাৰ্যবোৰ সম্পূৰ্ণ কৰিবলৈ আৰু মোৰ আদেশ
অনুসাৰে নগৰে নগৰে পৰিচাৰকক নিযুক্ত কৰিবলৈকো, ক্ৰীতী দ্বীপত
মই তোমাক থৈ আহিলোঁ। ৬ যি জন নিৰ্দোষী, এগৰাকী মহিলাৰ
স্বামী, যি জনৰ সন্তান সকল বিশ্বাসী আৰু দুষ্ট বা অবাধ্য বুলি পৰিচিত
নহয়, তেনে ব্যক্তিক পৰিচাৰকৰূপে গণ্য কৰিবা। ৭ অধ্যক্ষকৰ বাবে
এয়ে প্ৰয়োজনীয়, যিহেতু তেওঁ ঈশ্বৰৰ লোক সকলৰ পৰিচাৰক;
সেয়েহে, তেওঁ নিষ্কলংক হোৱা উচিত৷ তেওঁ অহংকাৰী, অলপতে
ক্ৰোধী, মদপী, প্ৰহাৰক আৰু কুচ্ছিত, লাভ বিচৰা হব নালাগে৷ ৮ কিন্তু
অতিথি সেৱক, সাধুক প্ৰেম কৰোঁতা, বিবেচক, ন্যায় কৰোঁতা, পবিত্ৰ
আৰু আত্মসংযমী হ'ব লাগে৷ ৯ আৰু নিৰাময় শিক্ষাত আশ্বাস দিবলৈ
আৰু আপত্তি দৰ্শোৱা সকলক অনুযোগ কৰিবলৈ সমৰ্থ হ'বৰ কাৰণে,
উপদেশৰ অনুৰূপ বিশ্বাসযোগ্য বাক্যত আসক্ত হব লাগে। ১০ কিয়নো
বিশেষকৈ চুন্নৎ হোৱা লোক সকলৰ মাজত অনৰ্থক বাক্য কওঁতা,
শৃংখলাহীন, ভাণ্ডনা কৰোঁতা আৰু অনেক অবাধ্য লোক আছে৷ ১১
তেওঁলোকৰ মুখ বন্ধ কৰা আৱশ্যক; তেওঁলোক এনেকুৱা মানুহ যে,
কুচ্ছিত লাভৰ কাৰণে তেওঁলোকে অনুচিত শিক্ষা দি কোনো কোনো
পৰিয়ালৰ সকলোকে বিনষ্ট কৰে। ১২ তেওঁলোকৰ এজন স্বদেশীয়
ভাববাদীয়ে কৈছে, যে "ক্ৰীতীৰ মানুহবোৰ মিছলীয়া, বেয়া, হিংসুক

জন্তু আৰু এলেহুৱা ভাতভাৰী।” ১৩ এই সাক্ষ্য সঁচা। তেওঁলোক যেন
বিশ্বাসত নিৰাময় হয়, এই কাৰণে তুমি তেওঁলোকক কঠোৰ অনুযোগ
কৰিবা। ১৪ ইহুদী সকলৰ আখ্যানবোৰত আৰু সত্যৰ পৰা বিমুখ
হোৱা মানুহবোৰৰ আদেশলৈ মন দি সময়ৰ অপব্যৱহাৰ নকৰিবা৷ ১৫
নির্মল সকলৰ বাবে সকলোৱেই শুচি; কিন্তু কলুষিত আৰু অবিশ্বাসী
সকলৰ বাবে একোৱেই শুচি নহয়৷ বৰং তেওঁলোকৰ মন আৰু বিবেক,
এই উভয়ে কলুষিত। ১৬ ঈশ্বৰক জানো বুলি তেওঁলোকে মুখেৰে
স্বীকাৰ কৰে, কিন্তু কার্যত অস্বীকাৰ কৰে৷ তেওঁলোক ঘিণলগীয়া,
আজ্ঞা নমনা আৰু সকলো সৎ কর্মৰ বাবে অনুপযোগী।

**২** কিন্তু তুমি নিৰাময় শিক্ষাৰ সৈতে উপযুক্ত কথা ক'বা৷ ২ বৃদ্ধ
সকল যেন পৰিমিত ভোগী, ধীৰ, বিবেচক, বিশ্বাসত গভীৰ, প্ৰেমত
আৰু ধৈৰ্যত নিৰাময় হয়৷ ৩ সেইদৰে বৃদ্ধ মহিলা সকলেয়ো যেন
সকলো সময়তে পবিত্ৰ লোক সকলৰ দৰে আচাৰ-ব্যৱহাৰ দেখুৱায়
আৰু অপবাদিকা বা বহু দ্ৰাক্ষাৰসৰ দাসী নহয়৷ যি যি উত্তম, সেই
শিক্ষা তেওঁলোকে দিয়ক৷ ৪ ইয়াৰ দ্বাৰা যুৱতী সকলক তেওঁলোকে
শিক্ষা দিয়ক, তেওঁলোক যাতে চিন্তাধাৰাত সুস্থিৰ হয়, পতিক প্ৰেম
কৰোঁতা আৰু সন্তান-প্ৰিয়া হবলৈ উৎসাহিত হয়, এইদৰে বিবেচক
হবলৈ, ৫ নির্দোষী, ঘৰ-ধৰোতা, সৎ স্বভাৱৰ, আৰু নিজ নিজ স্বামীৰ
বশীভুতা হবলৈ শিকাই বুজাই সুবুদ্ধি কৰি তুলিবৰ বাবে তেওঁলোকে
শিক্ষা দিয়ক, যাতে ঈশ্বৰৰ বাক্য নিন্দিত নহয়৷ ৬ সেইদৰে যুৱক
সকলকো সুবোধ হবলৈ উদগোৱা৷ ৭ নিজে সকলো বিষয়তে সৎ কর্মৰ
আৰ্হি হৈ, শিক্ষা দিওঁতে শুদ্ধ, ধীৰ আৰু অনিন্দনীয় হৈ নিৰাময় বাক্য
প্ৰকাশ কৰিবা; ৮ তেতিয়া বিৰোধী মানুহে আমাৰ বিষয়ে কোনো কু-
কথা কবলৈ নোপোৱাত, লাজ পাব। ৯ দাস সকলে সকলো বিষয়ত
তেওঁলোকৰ প্ৰভু সকলৰ আজ্ঞাধীন হব লাগে৷ তেওঁলোকৰ প্ৰতি
সন্তোষদায়ক হব লাগে, কিন্তু উত্তৰা-উত্তৰি নকৰি ১০ আৰু হাত লৰ
নহৈ, বৰং সকলোতে উত্তম বিশ্বস্ততা দেখুৱাবৰ বাবে তেওঁলোকক
উদগোৱা, তাতে আমাৰ ত্ৰাণকৰ্তা ঈশ্বৰৰ শিক্ষাই সকলো বিষয়তে
তেওঁলোকক ভূষিত কৰক৷ ১১ কিয়নো সকলো মানুহলৈ পৰিত্ৰাণ

অনা ঈশ্বৰৰ অনুগ্ৰহ প্ৰকাশিত হ’ল; ১২ আৰু আমি ভক্তি লঙ্ঘন আৰু
সাংসাৰিক অভিলাষ অস্বীকাৰ কৰি, গম্ভীৰ, ধাৰ্মিক আৰু সৎ ভাবেৰে
এই বৰ্তমান সংসাৰত যেন জীৱন-যাপন কৰিব পাৰোঁ, তাৰ বাবে এই
অনুগ্ৰহে আমাক এনে শিক্ষা দিছে। **(aiōn g165)** ১৩ এতিয়া আমি যেন
পৰমধন্য আশা সিদ্ধিৰ অৰ্থে মহান ঈশ্বৰ আৰু ত্ৰাণকৰ্তা যীচু খ্ৰীষ্টৰ
প্ৰতাপৰ আবিৰ্ভাৱৰ বাবে অপেক্ষা কৰি থাকো৷ ১৪ আমাক সকলো
অধৰ্মৰ পৰা মুক্ত আৰু শুচি কৰিবলৈ যীচুৱে নিজকে উৎসৰ্গ কৰিলে,
যাতে আমি মূল্যৱান ব্যক্তি সকলৰ দৰে সকলো সৎকৰ্মত উদ্যোগী
হওঁ। ১৫ তুমি এইবোৰ কথা কৈ সম্পূৰ্ণ ক্ষমতাৰে উদগোৱা আৰু
অনুযোগ কৰিবা; তোমাক হেয়জ্ঞান কৰিবলৈ কাকো নিদিবা।

৩ তুমি তেখেত সকলক সোঁৱৰাবা; তেখেত সকলে যেন শাসনকৰ্তা
আৰু ক্ষমতা পোৱা লোক সকলৰ বশীভুত হৈ তেওঁলোকৰ আজ্ঞা
পালন কৰে, সকলো সৎকৰ্ম্মত যুগুত হয় থাকে, আৰু ২ কোনো
ব্যক্তিক নিন্দা নকৰি, নিৰ্ব্বিৰোধী আৰু ক্ষান্ত স্বভাৱী হৈ সকলো মানুহৰ
প্ৰতি মৃদুভাৱ প্ৰকাশ কৰক৷ ৩ কিয়নো পূৰ্বে আমিও নিৰ্ব্বোধ, আজ্ঞা
নমনা, ভ্ৰান্ত, নানা বিধ অভিলাষ আৰু সুখভোগৰ সেৱাকৰ্ম কৰা,
হিংসা আৰু ঈৰ্ষাত কাল নিওৱা, ঘৃণনীয় আৰু পৰস্পৰে ঘৃণাকাৰী
আছিলোঁ। ৪ কিন্তু যেতিয়া আমাৰ ত্ৰাণকৰ্তা ঈশ্বৰৰ মধুৰ স্নেহ স্বভাৱ
আৰু মনুষ্য জাতিলৈ প্ৰেম প্ৰকাশিত হল, ৫ তেতিয়া আমাৰ ধাৰ্মিকতাৰ
কাৰণে নহয়, কিন্তু তেওঁ নিজ দয়া অনুসাৰে নতুন জন্মৰ স্নান আৰু
পবিত্ৰ আত্মাই নতুন কৰাৰ দ্বাৰাই আমাৰ পৰিত্ৰাণ কৰিলে৷ ৬ তাৰ
কাৰণে সেই আত্মা আমাৰ ত্ৰাণকৰ্তা যীচু খ্ৰীষ্টৰ দ্বাৰাই ঈশ্বৰে আমাৰ
ওপৰত বাহুল্যৰূপে বাকি দিলে, ৭ যাতে তেওঁৰ অনুগ্ৰহত আমি
ধাৰ্মিক বুলি গণিত হৈ অনন্ত জীৱনৰ আশা অনুসাৰে উত্তৰাধিকাৰী হব
পাৰোঁ৷ **(aiōnios g166)** ৮ এই কথা বিশ্বাসযোগ্য৷ ঈশ্বৰত বিশ্বাস কৰা
সকলে যাতে তেওঁলোকৰ সন্মুখত থকা সৎকৰ্মত লাগি থাকিবলৈ
চিন্তা কৰে, তাৰ কাৰণে তোমাক এই আজ্ঞা মই দিছোঁ৷ এইবোৰ কথা
সকলো লোকৰ পক্ষে উত্তম আৰু লাভজনক। ৯ কিন্তু মূঢ় বাদ-বিবাদ,
বংশাৱলী বিবাদ আৰু বিধানৰ বিষয়ে বাগযুদ্ধ, এই সকলোৰে পৰা

তুমি পৃথকে থাকিবা; কিয়নো সেইবোৰ অনুপকাৰী আৰু অনৰ্থক।
১০ দলভেদী মানুহক দুই এবাৰ চেতনা দিয়াৰ পাছত তেনেলোকক
অগ্ৰাহ্য কৰিবা; ১১ তেনেধৰণৰ মানুহ যে বিপথগামী আৰু নিজ
প্ৰমাণত দোষী হৈ পাপ কৰে, সেই বিষয়ে তুমি জানা। ১২ মই তোমাৰ
তালৈ আৰ্ত্তিমা বা তুখিকক পঠালোঁ, নীকপলিত মোৰ ওচৰলৈ বেগাই
আহিব বাবে তুমি যত্ন কৰিবা; কিয়নো মই সেই ঠাইতে জাৰকালি
কটাবলৈ সিদ্ধান্ত ললোঁ। ১৩ পণ্ডিত চিনাক আৰু আপল্লোক অতি
যত্নেৰে পঠাবা, যাতে তেওঁলোকৰ একোৰে অভাৱ নহয়। ১৪ আমাৰ
মানুহবোৰ যেন নিষ্ফল নহয়, তাৰ বাবে প্ৰয়োজনীয় অভাৱ পুৰণ
কৰিবলৈ সৎকৰ্মত লাগি থাকিবৰ বাবে শিকক। ১৫ মোৰ লগত থকা
সকলোৱে তোমাক মঙ্গলবাদ কৰিছে। বিশ্বাসত থাকি আমাক প্ৰেম
কৰা সকলোকে মঙ্গলবাদ দিবা। তোমালোক সকলোৰে লগত অনুগ্ৰহ
থাকক। আমেন।

# ফিলীমন

১ আমাৰ প্ৰিয় ভাই আৰু সহকৰ্মী ফিলীমনৰ প্ৰতি, খ্ৰীষ্ট যীচুৰ বন্দীয়াৰ
পৌল আৰু আমাৰ ভাই তীমথিয়; ২ আৰু আমাৰ ভনী আপ্পিয়া,
সহসেনা আৰ্খিপ্প আৰু তোমাৰ ঘৰত গোট খোৱা মণ্ডলীৰ প্ৰতি, ৩
আমাৰ পিতৃ ঈশ্বৰ আৰু প্ৰভু যীচু খ্ৰীষ্টৰ পৰা অনুগ্ৰহ আৰু শান্তি কামনা
কৰিলোঁ। ৪ মোৰ প্ৰাৰ্থনাত মই তোমাৰ নাম উল্লেখ কৰি, সদায় মোৰ
ঈশ্বৰৰ ধন্যবাদ দিওঁ, ৫ প্ৰভু যীচুৰ প্ৰতি তোমাৰ বিশ্বাস আৰু ঈশ্বৰৰ
সকলো পবিত্ৰ লোকৰ প্ৰতি থকা তোমাৰ প্ৰেমৰ কথা শুনিবলৈ পালোঁ।
৬ তোমাৰ বিশ্বাসৰ সহভাগিতা যেন আমাৰ লগত থকা সকলো উত্তম
বিষয়ৰ জ্ঞানত খ্ৰীষ্টৰ অৰ্থে কাৰ্যসাধক হয়, এনে প্ৰাৰ্থনা কৰোঁ। ৭ হে
ভাই, তোমাৰ প্ৰেমত মই অতি আনন্দ আৰু সান্ত্বনা পালোঁ, কিয়নো
তোমাৰ দ্বাৰা ঈশ্বৰৰ পবিত্ৰ লোক সকলৰ হৃদয় পুনৰাই সজীৱ কৰা
হ'ল। ৮ গতিকে যি উচিত সেইটো কৰিবৰ বাবে তোমাক আজ্ঞা
দিবলৈ যীচু খ্ৰীষ্টত মোৰ সাহস আছে, ৯ তথাপি মই তোমাক, তোমাৰ
প্ৰেমৰ কাৰণে ইয়াৰ পৰিৱৰ্তে অনুৰোধ কৰোঁ। মই পৌল, বৃদ্ধ হৈছোঁ
আৰু এতিয়া খ্ৰীষ্ট যীচুৰ কাৰণে মই বন্দী। ১০ মোৰ বন্দী অৱস্থাত
জন্মা পুত্ৰ ওনীচিমৰ প্ৰসংগত মই তোমাক অনুৰোধ কৰোঁ; ১১ তেওঁ
আগেয়ে তোমাৰ অনুপকাৰী আছিল কিন্তু এতিয়া তোমাৰ আৰু মোৰ
বাবেও উপকাৰী হ'ল। ১২ যি জন মোৰ প্ৰাণৰ প্ৰিয়, তেওঁকেই মই
তোমাৰ ওচৰলৈ উভতাই পঠালোঁ। ১৩ শুভবাৰ্তাৰ কাৰণে হোৱা মোৰ
বন্ধনত, তোমাৰ সলনি তেওঁ যেন মোৰ পৰিচৰ্যা কৰে, এই কাৰণে মই
তেওঁক লগত ৰাখিব খুজিছিলোঁ৷ ১৪ কিন্তু তোমাৰ অনুমতি অবিহনে
মই একো কৰিবলৈ আৱশ্যক নেদেখিলোঁ, সেয়েহে তোমাৰ সৎ গুণ
উপায়ন্তৰ হৈ কৰা নহওক, কিন্তু স্ব-ইচ্ছাৰে হওক। ১৫ সম্ভৱত: তেওঁক
চিৰকাল পাবৰ বাবে, তোমাৰ পৰা কিছু সময়ৰ কাৰণে পৃথক কৰা
হৈছিল। **(aiōnios g166)** ১৬ এজন দাসৰ দৰে নহয় কিন্তু দাসতকৈ
শ্ৰেষ্ঠ, বিশেষকৈ মোৰ বাবে এজন প্ৰিয় ভাইৰ দৰে; মাংস আৰু প্ৰভু
উভয়তে তোমালৈ অধিক প্ৰিয়। ১৭ যদি তুমি মোক সহভাগী বুলি গণ্য
কৰা তেনেহলে মোৰ তুল্য বুলি তেওঁক গ্ৰহণ কৰিবা। ১৮ আৰু তেওঁ

যদি তোমাক কিবা অন্যায় কৰিলে বা ধৰুৱা হৈছে, তেনেহলে তাক
মোৰ বুলিয়েই গণনা কৰিবা। ১৯ মই পৌল, নিজ মনৰ সৈতে নিজ
হাতে লিখিলোঁ, মই পৰিশোধ কৰিম। তোমাৰ জীৱনৰ কাৰণে তুমি
যে মোৰ ওচৰত ঋণী, সেই বিষয়ে মই নকওঁ। ২০ হয় ভাই, প্ৰভুত
মোক আনন্দিত হবলৈ দিয়া আৰু খ্ৰীষ্টত মোৰ প্ৰাণ পুনৰ সতেজ কৰা।
২১ তোমাৰ আনুগত্যতাত আত্মবিশ্বাস আছে, সেয়েহে মই তোমালৈ
লিখিলোঁ, তুমি মই কোৱাতকৈও অধিক কৰিবা বুলি জানিছোঁ। ২২
কিন্তু সেই একে সময়তে, মোলৈ এটা থকা ঠাই যুগুত কৰি ৰাখিবা; মই
আশা কৰোঁ তোমালোকৰ প্ৰাৰ্থনাৰ দ্বাৰাই মই তোমালোকৰ ওচৰলৈ
আহিবলৈ অনুমতি পালোঁ। ২৩ খ্ৰীষ্ট যীচুৰ সম্বন্ধে মোৰ লগৰ বন্দীয়াৰ
ইপাফ্ৰাই তোমাক মঙ্গলবাদ কৰিছে; ২৪ আৰু মাৰ্ক, আৰিষ্টাৰ্খ, দীমা
আৰু লূক, মোৰ এই সহকাৰী সকলেও মঙ্গলবাদ কৰিছে। ২৫ আমাৰ
প্ৰভু যীচু খ্ৰীষ্টৰ অনুগ্ৰহ তোমালোকৰ আত্মাৰ লগত থাকক। আমেন।

# ইব্ৰী

১ পূৰ্বকালত ঈশ্বৰে ভাববাদী সকলৰ মাধ্যমেদি বহু বাৰ নানাভাৱে
আমাৰ পূৰ্বপুৰুষ সকলৰ সৈতে কথা পাতিছিল। ২ কিন্তু এতিয়া এই
শেষৰ দিনবোৰত ঈশ্বৰে তেওঁৰ পুত্ৰৰ দ্বাৰাই আমাৰ লগত কথা ক'লে;
ঈশ্বৰে সেই পুত্ৰকেই সকলোৰে উত্তৰাধিকাৰী হবলৈ নিযুক্ত কৰিলে
আৰু তেওঁৰ যোগেদি বিশ্ব-ব্ৰহ্মাণ্ড খনো সৃষ্টি কৰিলে। (aiōn g165) ৩
সেই পুত্ৰ ঈশ্বৰৰ গৌৰৱময় পোহৰ৷ ঈশ্বৰৰ সকলো গুণৰ পূৰ্ণ প্ৰতিবিম্ব;
পুত্ৰই ঈশ্বৰৰ পৰাক্ৰম বাক্যৰ দ্বাৰাই সকলো ধৰি ৰাখিছে। সেই পুত্ৰই
সকলো মানুহক পাপৰ পৰা শুচি কৰিলে আৰু তাৰ পাছত স্বৰ্গত ঈশ্বৰৰ
মহিমাৰ সোঁ হাতে ওখ সিংহাসনত বহিল। ৪ ঈশ্বৰে তেওঁৰ পুত্ৰক যি
নাম দিলে, সেই নাম যেনেকৈ স্বৰ্গৰ দূত সকলৰ নামতকৈ অধিক
উত্তম, তেনেকৈ তেওঁ স্বৰ্গৰ দূত সকলৰ তুলনাত অনেক মহান হৈ
উঠিল। ৫ কাৰণ, ঈশ্বৰে কেতিয়াবা সেই স্বৰ্গৰ দূত সকলৰ মাজত
কোনো এজনক কৈছিল নেকি যে, "তুমি মোৰ পুত্ৰ; আজি মই তোমাৰ
পিতৃ হ'লো?" আকৌ, তেওঁ কেতিয়াবা তেওঁলোকক কৈছিল নেকি
যে, "মই তেওঁৰ পিতৃ আৰু তেওঁ মোৰ পুত্ৰ হ'ব?" ৬ পুণৰ, ঈশ্বৰে
যেতিয়া সেই প্ৰথমে জন্মা জনক জগতলৈ আনিলে, তেতিয়া তেওঁ
ক'লে, "ঈশ্বৰৰ সমস্ত দূত সকলে তেওঁৰ আৰাধনা কৰক।" ৭ স্বৰ্গৰ
দূত সকলৰ বিষয়ে ঈশ্বৰে কৈছে, "তেওঁ নিজৰ দুত সকলক বায়ুৰূপে
আৰু নিজৰ সেৱক সকলক অগ্নিশিখাৰূপে তৈয়াৰ কৰে।" ৮ কিন্তু পুত্ৰৰ
বিষয়ে ঈশ্বৰে ক'লে, "হে ঈশ্বৰ, তোমাৰ সিংহাসন চিৰকাল স্থায়ী,
তোমাৰ ৰাজ্যৰ শাসন, ন্যায়ৰ শাসন। (aiōn g165) ৯ তুমি ধাৰ্মিকতাক
প্ৰেম কৰিলা আৰু দুৰাচাৰীক ঘিণ কৰিলা; এই কাৰণে ঈশ্বৰে, তোমাৰ
ঈশ্বৰে তোমাৰ সঙ্গী সকলতকৈ তোমাক অধিক আনন্দৰূপ তেলেৰে
অভিষিক্ত কৰিলে।" ১০ "হে প্ৰভু, তুমি আদিতে পৃথিৱীৰ ভিত্তিমূল
স্থাপন কৰিলা। আকাশ-মণ্ডলো তোমাৰ হাতৰ কৰ্ম৷ ১১ সেইবোৰ
ধ্বংস হৈ যাব; কিন্তু তুমি নিত্য; সেই সকলো কাপোৰৰ দৰে পুৰণি হৈ
যাব। ১২ তুমি চাদৰৰ দৰে সেইবোৰক নুৰিয়াবা, কাপোৰৰ দৰে
সেইবোৰ সলোৱা হ'ব, কিন্তু তুমি হ'লে সদায় একে আছা আৰু তোমাৰ

বছৰবোৰৰ কেতিয়াও শেষ নহ'ব।" ১৩ কিন্তু ঈশ্বৰে স্বৰ্গৰ দূত সকলৰ
মাজৰ কোনো জনক কেতিয়াবা এই কথা কৈছে নে যে, "মই তোমাৰ
শত্ৰুবোৰক তোমাৰ ভৰি-পীৰা নকৰোঁমানে, তুমি মোৰ সোঁ হাতে বহি
থাকা?" ১৪ সকলো স্বৰ্গৰ দূতেই জানো সেৱাকাৰী আত্মা নহয়? মোৰ
আৰাধনা কৰিবলৈ আৰু পৰিত্ৰাণৰ অধিকাৰী হ'বলৈ উদ্যত হোৱা
সকলৰ পৰিচৰ্যাৰ কাৰণেই জানো তেওঁলোকক পঠোৱা হোৱা নাই?
২ এই কাৰণে আমি যি শুনিছো, তাত পুনৰ অধিককৈ মনোযোগ
দিয়া উচিত, যাতে আমি ঘাটলৈ চাপি আহি, পুনৰ ঘাটৰ পৰা কোনো
প্ৰকাৰে দূৰলৈ ভটিয়াই নাযাওঁ। ২ কিয়নো যি বাক্য স্বৰ্গৰ দূত সকলৰ
দ্বাৰাই কোৱা হৈছিল, সেই বাক্য সত্য বুলি প্ৰমাণিত হ'ল; পাপ-
আচৰণ কৰা আৰু ঈশ্বৰৰ আদেশ অমান্য কৰা প্ৰত্যেকেই ন্যায়ৰ শাস্তি
যোগ্যৰূপে পালে। ৩ তেনেহলে এনে এক মহৎ পৰিত্ৰাণ অগ্ৰাহ্য
কৰিলে আমি কেনেকৈ ৰক্ষা পাব পাৰোঁ? এই উদ্ধাৰৰ কথা প্ৰথমে
প্ৰভুৰ দ্বাৰাই ঘোষণা কৰা হৈছিল আৰু যি সকলে শুনিলে, তেওঁলোকে
আমাৰ ওচৰত সেই উদ্ধাৰৰ সত্যতা প্ৰমাণ কৰিলে। ৪ ঈশ্বৰে নানা
চিন, অদ্ভুত লক্ষণ, অনেক পৰাক্ৰম কাৰ্য আৰু নিজৰ ইচ্ছা অনুসাৰে
পবিত্ৰ আত্মাৰ নানা বৰদানৰ দ্বাৰা এই বিষয়ে সাক্ষ্য প্ৰদান কৰিলে। ৫
আমি যি ভাবী জগতৰ বিষয়ে কথা কৈছোঁ, সেই বিষয় ঈশ্বৰে স্বৰ্গৰ দূত
সকলৰ অধীনত ৰখা নাই। ৬ কিন্তু ইয়াৰ পৰিৱৰ্তে, কোনো এজনে
কোনো এঠাইত এই সাক্ষ্য দি কৈছে, "মানুহনো কি, তুমি যে তেওঁক
সোঁৱৰণ কৰা? অথবা মানুহৰ সন্তানেই বা কি, তুমি যে তেওঁলৈ দৃষ্টি
কৰা? ৭ তুমি স্বৰ্গৰ দূত সকলতকৈ মানুহক অলপহে সৰু কৰিলা; কিন্তু
তুমি তেওঁকেই মহিমা আৰু সন্মানৰ মুকুটেৰে বিভূষিত কৰিলা; ৮
আৰু সকলো বস্তু তুমি তেওঁৰ ভৰিৰ তলত ৰাখিলা।" কিয়নো ঈশ্বৰে
সকলোকে মানুহৰ অধীন কৰিলে। তেওঁৰ কৰ্তৃত্বৰ বাহিৰত তেওঁ
একোৱেই নাৰাখিলে। অৱশ্যে আমি এতিয়ালৈকে সকলো তেওঁৰ
অধীনত দেখা নাই। ৯ তথাপি আমি যীচুক দেখিছোঁ, যি জনক স্বৰ্গৰ
দূত সকলতকৈ অলপহে সৰু কৰা হ'ল; তেওঁ দুখভোগ কৰি মৃত্যুবৰণ
কৰাৰ কাৰণে তেওঁক মহিমা আৰু সন্মানৰ ৰাজমুকুট পিন্ধোৱা হ'ল।

সেয়েহে, ঈশ্বৰৰ অনুগ্ৰহত প্ৰত্যেক মানুহৰ বাবে যীচুৱে মৃত্যুৰ আস্বাদ
ল'লে। ১০ সকলো ঈশ্বৰৰ কাৰণে আৰু সকলো তেওঁৰ যোগেদি হ'ল।
সেই বাবে অনেক সন্তানক ঈশ্বৰে গৌৰৱৰ ভাগী কৰাৰ উদ্দেশ্যেৰে
আৰু তেওঁলোকৰ পৰিত্ৰাণৰ অৰ্থে যীচুক কষ্টভোগৰ মাজেদি সিদ্ধ
কৰি তোলা কাৰ্য ঈশ্বৰৰ সঠিক কাৰ্য আছিল। ১১ যি জনে পবিত্ৰ কৰে
আৰু যি সকলক পবিত্ৰ কৰা হয়, সেই সকলোৱে একে জন ঈশ্বৰৰ
পৰিয়ালৰ লোক। সেই কাৰণে যি জনে পবিত্ৰ কৰে সেই যীচুৱে লোক
সকলক ভাই বুলি মাতিবলৈ তেওঁ লাজ নাপায়। ১২ যীচুৱে কৈছে,
"মোৰ ভাই সকলৰ আগত মই তোমাৰ নাম প্ৰচাৰ কৰিম, সহভাগীতাৰ
মাজত তোমাৰ গুণ কীৰ্ত্তন কৰিম।" ১৩ তেওঁ আকৌ কৈছে, "মই
তেওঁতহে ভাৰসা কৰিম।" তেওঁ আকৌ ইয়াকো কৈছে, "চোৱা, এয়া
মই আৰু মোৰ সন্তান সকল, ঈশ্বৰে যি সকলক মোক দিছে।" ১৪
ঈশ্বৰৰ সেই সকলো সন্তান তেজ আৰু মাংসৰ মানুহ। সেয়েহে যীচুৱে
নিজেও সেই সন্তান সকলৰ দৰে এই উভয়ৰ সহভাগী হ'ল, যাতে
মৃত্যুৰ মাধ্যমেদি মৃত্যুৰ ক্ষমতা যাৰ হাতত আছে সেই চয়তানক
শক্তিহীন কৰিব পাৰে, আৰু ১৫ মৃত্যুৰ ভয়ত যি সকলে গোটেই জীৱন
দাসত্বত কটাইছিল, তেওঁলোকক মুক্ত কৰিব পাৰে। ১৬ বাস্তৱিক এই
কথা নিশ্চিত যে, যীচুৱে স্বৰ্গৰ দূত সকলক সহায় কৰা নাই, কিন্তু তাৰ
পৰিৱৰ্তে অব্ৰাহামৰ বংশধৰ সকলকহে সহায় কৰিছে। ১৭ সেই বাবেই
যীচু সকলো দিশৰ পৰা তেওঁৰ ভাই সকলৰ দৰে হোৱাৰ প্ৰয়োজন
আছিল যাতে ঈশ্বৰৰ সাক্ষাতে তেওঁ এজন দয়ালু আৰু বিশ্বস্ত মহা-
পুৰোহিত হব পাৰে আৰু মানুহে পাপৰ পৰা ক্ষমা পাব পাৰে। ১৮
কিয়নো যীচুৱে নিজে পৰীক্ষা আৰু দুখভোগৰ মাজেদি গৈছিল, সেই
বাবে যি সকল লোক পৰীক্ষাৰ সন্মুখীন হয় তেওঁলোকক তেওঁ সহায়
কৰিব পাৰে।

৩ এই কাৰণে, হে স্বৰ্গীয় আমন্ত্ৰণৰ সহভাগী পবিত্ৰ ভাই সকল,
আপোনালোকে যীচুলৈ মনোযোগ কৰক। তেওঁ আমি স্বীকাৰ কৰা
ঈশ্বৰৰ পাঁচনি আৰু সেই মহা-পুৰোহিত। ২ ঈশ্বৰৰ পৰিয়ালৰ সমস্ত
লোক সকলৰ প্ৰতি মোচি যেনেকৈ বিশ্বাসী আছিল, তেনেকৈ যীচু

নিজেও তেওঁক নিযুক্ত কৰা ঈশ্বৰৰ প্ৰতি বিশ্বসী আছিল। ৩ কোনো
লোকে যেতিয়া গৃহ নিৰ্মাণ কৰে, তেতিয়া গৃহতকৈ গৃহ নিৰ্মাতাৰ
মৰ্যদা যেনেকৈ অধিক হয়, সেইদৰে, ঈশ্বৰে যীচুক মোচিতকৈ অধিক
গৌৰৱৰ যোগ্যপাত্ৰৰূপে গণিত কৰিলে ৪ কাৰণ প্ৰত্যেক গৃহ কোনো
জনৰ দ্বাৰাই নিৰ্মাণ কৰা হয়, কিন্তু যি জনে সকলোকে নিৰ্মাণ কৰিলে,
তেওঁ ঈশ্বৰ। ৫ মোচি সঁচাকৈয়ে ঈশ্বৰৰ সমস্ত গৃহৰ সেৱকৰূপে বিশ্বাসী
আছিল। ভৱিষ্যতত যি যি কোৱা হ'ব, সেই সকলোৰে সম্বন্ধে মোচিয়ে
সাক্ষ্য দি আছিল ৬ কিন্তু পুত্ৰ হিচাপে খ্ৰীষ্ট হৈছে ঈশ্বৰৰ সেই গৃহৰ
কৰ্তা। যদিহে আমি আমাৰ নিশ্চিত আশাৰ সম্পৰ্কে সাহস আৰু গৰ্ব
দৃঢ়কৈ ধৰি ৰাখো, তেনেহলে ঈশ্বৰৰ গৃহ আমি বিশ্বাসী সকলেই
হওঁ। ৭ এই কাৰণে পবিত্ৰ আত্মাই যেনেকৈ কৈছে: "আজি যদি
তোমালোকে ঈশ্বৰৰ মাত শুনিবলৈ পোৱা, ৮ তেনেহলে তোমালোকৰ
হৃদয়বোৰ কঠিন নকৰিবা- যেনেকৈ ইস্ৰায়েলীয়া সকলে বিদ্ৰোহৰ
দিনত কৰিছিল, মৰুপ্ৰান্তত সেই সময়ত পৰীক্ষা কৰাৰ দৰে নকৰিবা।
৯ তাত তোমালোকৰ ওপৰ-পুৰুষ সকলে চল্লিশ বছৰ ধৰি মোৰ
কাৰ্যবোৰ দেখিছিল, তথাপি তেওঁলোকে মোক পৰীক্ষা কৰাৰ দ্বাৰাই
বিদ্ৰোহ কৰিছিল, ১০ গতিকে, মই এই জাতিত বিৰক্ত হ'লো, মই
ক'লো, এওঁলোক সদায় ভ্ৰান্ত হৃদয়ৰ লোক; তেওঁলোকে মোৰ পথ
নাজানিলে; ১১ তাতে মই ক্ৰুদ্ধ হৈ এই শপত খালোঁ, 'এওঁলোক
মোৰ বিশ্ৰামত সোমাবলৈ নাপাব।'" ১২ ভাই সকল, আপোনালোকে
সতৰ্কতাৰে চলিব যাতে, কেনেবাকৈ জীৱনময় ঈশ্বৰৰ পৰা খহি
পৰিবলৈ আপোনালোকৰ মাজত কোনো এজনৰে অবিশ্বাসী দুষ্ট হৃদয়
নহয়। ১৩ যি সময়লৈকে 'আজি' বোলা সময় আছে, সেই সময়লৈ
অাপোনালোকে প্ৰতিদিনে এজনে আন জনক উৎসাহ দিয়ক, তাতে
আপোনালোকৰ কোনো এজনৰ হৃদয় পাপৰ ছলনাত পৰি কঠিন
নহওক। ১৪ আৰম্ভণীতে খ্ৰীষ্টত আমাৰ যি বিশ্বাস আছিল, যদি
শেষলৈকে আমি সেই বিশ্বাসত নিশ্চিত হৈ থাকো, তেনেহলে আমি
খ্ৰীষ্টৰ সহভাগী; ১৫ এই বিষয়ে ইয়াকে কোৱা হৈছে, "আজি যদি
তোমালোকে তেওঁৰ মাত শুনিবলৈ পোৱা, তেনেহলে তোমালোকৰ

হৃদয় কঠিন নকৰিবা, যেনেকৈ ইস্ৰায়েলী সকলে সেই বিদ্ৰোহৰ দিনত
কৰিছিল।” ১৬ কোনে ঈশ্বৰৰ মাত শুনাৰ পাছতো তেওঁৰ বিৰুদ্ধে
বিদ্ৰোহ কৰিছিল? তেওঁলোক সেই সকল লোকেই নহয় নে, যি সকলক
মোচিয়ে মিচৰ দেশৰ পৰা বাহিৰ কৰি লৈ আহিছিল? ১৭ ঈশ্বৰে
চল্লিশ বছৰ ধৰি কাৰ ওপৰতেই বা ক্ৰুদ্ধ আছিল, সেই লোক সকলৰ
ওপৰতে নহয় নে, যি সকলে পাপ কৰিছিল আৰু যি সকলৰ মৃতদেহ
মৰুপ্ৰান্তত পৰি আছিল? ১৮ ঈশ্বৰে কাৰ বিৰুদ্ধে বা শপত খাই কৈছিল,
“এওঁলোকে মোৰ বিশ্ৰামত সোমাবলৈ নাপাব?” যি সকল অবাধ্য,
তেওঁলোকৰ বিৰুদ্ধে নহয় নে? ১৯ ইয়াতে আমি দেখো যে, অবিশ্বাসৰ
কাৰণেই তেওঁলোক সোমাব নোৱাৰিলে।

**4** এতেকে, আমি সতৰ্ক হ’ব লাগে যাতে আপোনালোকৰ মাজৰ
কোনো ব্যক্তিকে ঈশ্বৰৰ বিশ্ৰামত সোমোৱাৰ যি প্ৰতিজ্ঞা, সেই
প্ৰতিজ্ঞাত যেন অযোগ্য দেখা নাযায়। ২ ইস্ৰায়েলৰ লোক সকলৰ
আগত যেনেকৈ ঈশ্বৰৰ বিশ্ৰামৰ বিষয়ে শুভবাৰ্তা ঘোষণা কৰা হৈছিল,
তেনেকৈ আমাৰ আগতো কৰা হৈছে। কিন্তু, সেই শুভবাৰ্তাৰ শিক্ষা
শুনিও তেওঁলোকৰ কোনো লাভ নহ’ল; কাৰণ তেওঁলোকে সেইবোৰ
শুনি বিশ্বাসেৰে গ্ৰহণ নকৰিলে। ৩ আমি যি সকলে বিশ্বাস কৰিছোঁ,
আমিয়ে সেই বিশ্ৰামত প্ৰৱেশ কৰিবলৈ সক্ষম; যি দৰে কোৱা হৈছে:
“মই ক্ৰুদ্ধ হৈ শপত খালোঁ, এওঁলোকে মোৰ বিশ্ৰামত সোমাবলৈ
নাপাব।” যদিও জগতৰ আৰম্ভণীৰ পৰাই সৃষ্টি কাৰ্য শেষ কৰি
ঈশ্বৰে এই কথা কৈছিল। ৪ কিয়নো এঠাইত সপ্তম দিনৰ বিষয়ে
ঈশ্বৰে কৈছিল, “ঈশ্বৰে সপ্তম দিনা তেওঁৰ সকলো কৰ্মৰ পৰা বিশ্ৰাম
কৰিলে।” ৫ পুনৰায় তেওঁ কৈছে, “এওঁলোক মোৰ বিশ্ৰামত সোমাবলৈ
নাপাব।” ৬ এতেকে, কিছুমান লোকৰ প্ৰৱেশৰ বাবে এতিয়াও ঈশ্বৰৰ
বিশ্ৰাম আছুতীয়াকৈ ৰখা আছে আৰু ঈশ্বৰৰ বিশ্ৰামৰ শুভবাৰ্তা যি
ইস্ৰায়েলী লোক সকলে প্ৰথমে শুনিছিল, তেওঁলোকৰ অবাধ্যতাৰ
কাৰণে তেওঁলোকে ঈশ্বৰৰ বিশ্ৰামত প্ৰৱেশ কৰিব নোৱাৰিলে। ৭
তেতিয়া ঈশ্বৰে পুণৰ এটা দিন স্থিৰ কৰিলে আৰু সেই দিনৰ বিষয়ে
তেওঁ ক’লে, “আজি”। বহুত দিনৰ পাছত ৰজা দায়ুদৰ যোগেদি তেওঁ

এই দিনৰ বিষয়ে পুনৰায় কৈছিল, “আজি যদি তোমালোকে তেওঁৰ
মাত শুনিবলৈ পোৱা, তেনেহলে তোমালোকৰ হৃদয় কঠিন নকৰিবা।”
৮ কিয়নো যিহোচুৱাই তেওঁলোকক ঈশ্বৰৰ বিশ্ৰামত লৈ যাব পৰা হ’লে,
ঈশ্বৰে পাছত আন এটা দিনৰ “আজি” বোলা কথাটো নক’লেহেঁতেন।
৯ এতেকে ঈশ্বৰৰ লোকৰ কাৰণে সেই সপ্তম দিনৰ বিশ্ৰাম সংৰক্ষিত
আছে। ১০ কিয়নো যেনেকৈ ঈশ্বৰে তেওঁৰ কৰ্ম শেষ কৰি বিশ্ৰাম
কৰিছিল, তেনেকৈ যি কোনোৱে ঈশ্বৰৰ বিশ্ৰামত প্ৰৱেশ কৰে, তেৱোঁ
নিজৰ কৰ্মৰ পৰা বিশ্ৰাম পায়। ১১ সেই কাৰণে আহক, আমি সেই
বিশ্ৰামত সোমাবলৈ যত্ন কৰোঁহক। আমি কোনেও যেন সেই অবাধ্য
ইস্ৰায়েলী লোক সকলৰ দৰে অবিশ্বাসৰ পুৰণি আৰ্হি অনুসৰণ কৰি
পতিত নহম। ১২ কিয়নো ঈশ্বৰৰ বাক্য জীৱনময়, কাৰ্যসাধক আৰু
আটাই দুধৰীয়া তৰোৱালতকৈও চোকা। এই বাক্য প্ৰাণ আৰু আত্মা,
গাঁঠি আৰু মজ্জা এই সকলোকে ভেদ কৰালৈকে বিন্ধোতা, মনৰ
ভাৱনা আৰু অভিপ্ৰায়কো বিচাৰ কৰোঁতা। ১৩ সৃষ্টিৰ একো বস্তুৱেই
ঈশ্বৰৰ দৃষ্টিৰ অগোচৰ নহয়; তেওঁৰ চকুৰ আগত সকলোৱেই উদং
আৰু মুকলি। তেওঁৰ ওচৰত আমি অৱশ্যেই হিচাব দিব লাগিব। ১৪
স্বৰ্গবোৰৰ মাজেদি যোৱা আমাৰ এজন মহান মহা-পুৰোহিত আছে।
তেওঁ ঈশ্বৰৰ পুত্ৰ যীচু খ্ৰীষ্ট। গতিকে আহক, আমি আমাৰ বিশ্বাস
দৃঢ়কৈ ধৰি ৰাখোহঁক। ১৫ কিয়নো আমাৰ মহা-পুৰোহিত এনেকুৱা
নহয় যে, তেওঁ আমাৰ দূৰ্বলতাত আমাৰ লগত দুখ উপলব্ধি কৰিব
নোৱাৰে; কাৰণ তেওঁ পাপ নকৰাকৈয়ে সকলো বিষয়ত আমাৰ দৰে
পৰীক্ষিত হৈছিল। ১৬ এতেকে বিশ্বাসেৰে সৈতে অনুগ্ৰহৰ সিংহাসনৰ
ওচৰলৈ আহক, যাতে আমাৰ প্ৰয়োজনত সহায় হবলৈ আমি দয়া লাভ
কৰি অনুগ্ৰহ পাব পাৰোঁ।

৫ প্ৰতিজন ইহুদী মহা-পুৰোহিতক লোক সকলৰ মাজৰ পৰা মনোনীত
কৰা হয়। লোক সকলৰ পক্ষ হৈ ঈশ্বৰ বিষয়ক সেৱা কাৰ্যৰ বাবে
তেওঁক নিযুক্ত কৰা হয়, যাতে তেওঁ মানুহৰ পাপৰ কাৰণে উপহাৰ
আৰু বলিদান উৎসৰ্গ কৰে। ২ মানুহৰ অজ্ঞতা আৰু ভ্ৰান্ত অৱস্থাত মহা-
পুৰোহিত জনে তেওঁলোকৰ প্ৰতি সহানুভুতিশীল হব পাৰে, যিহেতু

তেৰোঁ আন লোক সকলৰ দৰে নিজৰ দুৰ্বলতাৰ দ্বাৰা বেষ্টিত। ৩
যেনেকৈ আন লোক সকলৰ পাপৰ কাৰণে তেওঁ বলি উৎসৰ্গ কৰে,
তেনেকৈ নিজে দুৰ্বল হোৱা কাৰণে নিজৰ কাৰণেও তেওঁ সেই বলি
উৎসৰ্গ কৰা আৱশ্যক। ৪ মহা-পুৰোহিত হোৱা সন্মানৰ বিষয় আৰু
কোনেও এই সন্মান নিজে লব নোৱাৰে। কিন্তু ঈশ্বৰে যি জনক আমন্ত্ৰণ
কৰে তেৰেঁই সেই সন্মান পায়, যি দৰে হাৰোণক এই কাৰ্যত আমন্ত্ৰণ
কৰা হৈছিল। ৫ সেইদৰে খ্ৰীষ্টেও মহা-পুৰোহিত হৈ নিজে মহিমা
লবলৈ নিজকে মনোনীত নকৰিলে। কিন্তু ঈশ্বৰেই তেওঁক ক'লে,
"তুমি মোৰ পুত্ৰ, আজি মই তোমাৰ পিতৃ হ'লো।" ৬ সেইদৰে আন
এঠাইত কৈছে: "তুমি চিৰকালৰ কাৰণে মল্কিচেদকৰ ৰীতি অনুসাৰে
হোৱা এজন পুৰোহিত।" **(aiōn g165)** ৭ যীচু যেতিয়া এই জগতত
নিজ শৰীৰত বাস কৰিছিল, যি জনে তেওঁক মৃত্যুৰ হাতৰ পৰা ৰক্ষা
কৰিব পাৰে সেই ঈশ্বৰৰ ওচৰত চকুলোৰে সৈতে অতিশয় ক্ৰন্দন কৰি
অনুৰোধ আৰু প্ৰাৰ্থনা কৰিছিল। ঈশ্বৰৰ প্ৰতি থকা ভক্তিভাৱৰ কাৰণে,
ঈশ্বৰে তেওঁৰ প্ৰাৰ্থনা শুনিলে। ৮ যীচু ঈশ্বৰৰ পুত্ৰ হোৱা সত্ত্বেও
দুখভোগ কৰিছিল আৰু তাৰ মাজেদিয়েই বাধ্যতা হ'বলৈ শিক্ষা পালে;
৯ এইভাৱে যীচুৱে মহা-পুৰোহিতৰূপে পূৰ্ণ সিদ্ধতা লাভ কৰিলে আৰু
সেয়ে তেওঁৰ বাধ্য হোৱা সকলোৰে কাৰণে তেওঁ অনন্ত পৰিত্ৰাণৰ পথ
হ'ল; **(aiōnios g166)** ১০ আৰু মল্কিচেদকৰ ৰীতি অনুসাৰে হোৱা মহা-
পুৰোহিত বুলি ঈশ্বৰৰ দ্বাৰাই অভিহিত হ'ল। ১১ যীচুৰ বিষয়ে আমাৰ
অনেক কথা ক'বলৈ আছে; কিন্তু আপোনালোকৰ কাণ গধুৰ হোৱা
বাবে সেই বিষয় বুজাবলৈ টান। ১২ ইমান দিনে আপোনালোক শিক্ষক
হৈ উঠিব লাগিছিল, কিন্তু তাৰ পৰিৱৰ্তে এতিয়াও কোনোৱে যেন
পুনৰাই আপোনালোকক ঈশ্বৰৰ বচন সমূহৰ আদিকথাৰূপ বৰ্ণমালা
শিকায়, আপোনালোকৰ এনে প্ৰয়োজন হৈ পৰিছে। আপোনালোক
এনেকুৱা মানুহ হ'ল যে, টান আহাৰ নহয়, গাখীৰহে আপোনালোকৰ
প্ৰয়োজন হৈ আছে। ১৩ কিয়নো যাৰ ভোজন মাথোন গাখীৰ, তেওঁতো
এতিয়াও শিশু। ধাৰ্মিকতা সম্বন্ধীয় শিক্ষাত সেই ব্যক্তিৰ কোনো
অভিজ্ঞতা নাই। ১৪ কিন্তু টান আহাৰ হ'লে সম্পূৰ্ণ বয়সপ্ৰাপ্ত সকলৰ

বাবেহে অৰ্থাৎ তেওঁলোকে ঈশ্বৰৰ বাক্যৰ কঠিন শিক্ষাবোৰ বুজি
অভ্যাস কৰে; তেওঁলোকে ভুল আৰু শুদ্ধ বিচাৰ কৰাত নিপুণ হৈ ভাল-
বেয়া নিৰ্ণয় কৰিবলৈ শিকিছে।

**৬** এতেকে, খ্ৰীষ্টৰ বিষয়ে আমি যি প্ৰাথমিক শিক্ষা পালোঁ, তাক পাছ
পেলাই, আহক আমি পৰিপূৰ্ণতাৰ ফালে আগবাঢ়ি যাওঁ। পুনৰায় যেন
আমি মৃত কৰ্মৰ পৰা মন-পৰিৱৰ্তন আৰু ঈশ্বৰৰ ওপৰত বিশ্বাস, ২
নানা বাপ্তিস্ম আৰু হাত দিয়াৰ বিষয়ে শিক্ষা, মৃত লোকৰ পুনৰুত্থান আৰু
স্থায়ী অনন্ত দণ্ডৰ বিষয়ে নতুনকৈ ভিত্তিমূল স্থাপন নকৰোঁ। (aiōnios
g166) ৩ অৱশ্যে, ঈশ্বৰে অনুমতি দিলে আমি তাকেই কৰিম। ৪ কিয়নো
যি সকলে এবাৰ পোহৰ প্ৰাপ্ত হৈছে, তেওঁলোকেই স্বৰ্গীয় দানৰ আস্বাদ
পালে আৰু পবিত্ৰ আত্মাৰ সহভাগী হ'ল৷ ৫ কিন্তু যি সকলে ঈশ্বৰৰ
মঙ্গলবাক্যৰ আস্বাদ পালে, ভাবী যুগৰ নানা পৰাক্ৰমৰ বিষয়ে জানিলে
(aiōn g165) ৬ আৰু তাৰ পাছত ধৰ্ম ভ্ৰষ্ট হ'ল, তেওঁলোকক নতুনকৈ মন-
পৰিৱৰ্তনৰ অৰ্থে পুণৰায় গঢ় দিয়া অসাধ্য; কাৰণ তেওঁলোকে নিজৰ
অৰ্থে ঈশ্বৰৰ পুত্ৰক পুণৰ ক্ৰুচত দিলে আৰু প্ৰকাশ্যৰূপে মানুহৰ আগত
তেওঁক নিন্দাৰ পাত্ৰ কৰিলে। ৭ যি মাটিয়ে তাৰ ওপৰত ঘনে ঘনে
পৰা বৰষুণ শুহি লয় আৰু সেই মাটি চহাই কাম কৰা সকলৰ কাৰণে
সেই মাটিয়ে প্ৰয়োজনীয় শাক-পাচলি আদি উৎপন্ন কৰে, সেই মাটিয়ে
ঈশ্বৰৰ আশীৰ্বাদ পায়। ৮ কিন্তু সেই মাটিয়ে যদি কাঁইট গছ আৰু
পুলি কাঁইট উৎপন্ন কৰে, তেনেহলে ই অকামিলা হৈ যায় আৰু সেই
মাটি অভিশপ্ত হোৱাৰ ভয় থাকে। তাৰ শেষগতি জ্বলন। ৯ প্ৰিয় বন্ধু
সকল, যদিও আমি এইবোৰ কথা কৈছোঁ, তথাপি আপোনালোকৰ
বিষয়ে হ'লে আমাৰ এনে দৃঢ় বিশ্বাস আছে যে, আপোনালোকৰ অৱস্থা
ইয়াতকৈয়ো ভাল আৰু আপোনালোকে যি কৰি আছে, সেয়া পৰিত্ৰাণ
লাভৰে পদক্ষেপ। ১০ কিয়নো ঈশ্বৰ এনে অন্যায় বিচাৰক নহয় যে,
আপোনালোকৰ পৰিশ্ৰম আৰু তেওঁৰ নামৰ বাবে পবিত্ৰ লোক সকলৰ
প্ৰতি আপোনালোকে যি সেৱা যত্ন কৰিলে আৰু এতিয়াও একে সেৱা
যত্ন কৰি প্ৰেম দেখুৱাই আছে; ঈশ্বৰে এইবোৰ কেতিয়াও নাপাহৰে।
১১ আমি বিচাৰোঁ, আপোনালোক প্ৰত্যেক জনে যেন শেষ পৰ্যন্ত একেই

ধৰণৰ আগ্ৰহ দেখুওৱা লোক হয়। তাতে আপোনালোকে সম্পূৰ্ণকৈ
নিশ্চিত হব যে, আপোনালোকৰ আশা পূৰ্ণ হব। ১২ আপোনালোক
এলেহুৱা হোৱাটো আমি নিবিচাৰোঁ। আমি বিচাৰো, যি সকলে বিশ্বাস
আৰু ধৈৰ্যৰ দ্বাৰাই ঈশ্বৰৰ বিধান সমূহ লাভ কৰে, আপোনালোক
তেওঁলোকৰ অনুকাৰী হওক। ১৩ ঈশ্বৰে যেতিয়া অব্ৰাহামলৈ এটি
প্ৰতিজ্ঞা কৰিছিল, তেতিয়া ঈশ্বৰতকৈ মহান কোনো নথকাত তেওঁ
নিজৰ নামেৰেই শপত খাইছিল। ১৪ তেওঁ কৈছিল, "মই অৱশ্যেই
তোমাক আশীৰ্বাদ কৰিম আৰু অতিশয়ৰূপে তোমাৰ বংশও বৃদ্ধি
কৰিম।" ১৫ তাতে অব্ৰাহামে ধৈৰ্যেৰে অপেক্ষা কৰিলে আৰু পাছত
তেওঁ সেই প্ৰতিজ্ঞাৰ ফল পালে। ১৬ মানুহে নিজতকৈ মহান কোনো
ব্যক্তিৰ নামেৰেহে শপত খায়। শপতৰ দ্বাৰা নিজৰ প্ৰতিজ্ঞা ৰক্ষাৰ
নিশ্চয়তা দান কৰিলে তেওঁলোকৰ সকলো বিবাদৰ অৱসান হয়।
১৭ সেইদৰে ঈশ্বৰে তেওঁৰ প্ৰতিজ্ঞাৰ উত্তৰাধিকাৰী সকলক শপতৰ
মাধ্যমেদি নিশ্চয়তা দি অধিক স্পষ্টৰূপে দেখুৱাব বিচাৰিলে যে তেওঁৰ
সেই উদ্দেশ্য অপৰিৱৰ্তনীয়। ১৮ ঈশ্বৰে এই কাৰ্য দুটা অপৰিৱৰ্তনীয়
বিষয়ৰ দ্বাৰাই কৰিছিল, যি বিষয়ত ঈশ্বৰে মিছা-কোৱা অসাধ্য।
আমি যি সকলে ঈশ্বৰৰ ওচৰত আশ্ৰয় বিচাৰি পলাই গলো, আমি
আমাৰ আগত থকা আশাক যেন দৃঢ়তাৰে ধৰিবলৈ প্ৰচুৰ উৎসাহ
পাওঁ, তাৰ কাৰণে কৰিলে। ১৯ আমাৰ যি আশা আছে, সেই আশা
আমাৰ আত্মাৰ লঙ্গৰ স্বৰূপ; সেয়ে নিশ্চিত আৰু দৃঢ়। সেই আশাই
আঁৰ-কাপোৰৰ ভিতৰ ফালে মন্দিৰৰ মহা পবিত্ৰ স্থানত আমাক প্ৰৱেশ
কৰায়। ২০ যীচু, যি জন মল্কিচেদকৰ ৰীতি অনুযায়ী চিৰকালৰ বাবে
মহা-পুৰোহিত হ'ল, তেওঁ আমাৰ কাৰণে অগ্ৰগামী হৈ সেই ঠাইত
প্ৰৱেশ কৰিলে। **(aiōn g165)**

**৭** এই মল্কিচেদক চালেমৰ ৰজা আৰু সৰ্ব্বোপৰি ঈশ্বৰৰ পুৰোহিত
আছিল। অব্ৰাহামে যেতিয়া ৰজা সকলক পৰাস্ত কৰি উলটি আহিছিল,
তেতিয়া তেওঁৰ লগত অব্ৰাহামৰ সাক্ষাৎ হ'ল আৰু মল্কিচেদকে
অব্ৰাহামক আশীৰ্বাদ কৰিলে। ২ অব্ৰাহামে যি সকলো অধিকাৰ
কৰিছিল, তাৰ পৰা দহ ভাগৰ এভাগ তেওঁক দিছিল; "মল্কিচেদকৰ"

নামৰ অৰ্থ হৈছে “ধাৰ্মিকতাৰ ৰজা” আৰু তেওঁ “চালেমৰ ৰজা” অৰ্থাৎ
“শান্তিৰাজ”। ৩ মল্কিচেদকৰ পিতৃ, মাতৃ বা তেওঁৰ পূৰ্বপুৰুষৰ কোনো
বংশতালিকা নাছিল। তেওঁৰ আৰম্ভণ আৰু শেষ জীৱনৰ কোনো নথি-
পত্ৰ নাই। ঈশ্বৰৰ পুত্ৰৰ দৰে তেওঁ হৈছে চিৰকালৰ পুৰোহিত। ৪
এতিয়া বিবেচনা কৰি চাওক, এই মল্কিচেদক কিমান মহান পুৰুষ
আছিল, যি জনক আমাৰ আদিপিতৃ অব্ৰাহামে যুদ্ধত লুট কৰা উত্তম
বস্তুৰ দহ ভাগৰ এভাগ দিছিল। ৫ লেবীৰ সন্তান সকলৰ মাজৰ যি
সকলে পুৰোহিত বাব পালে, তেওঁলোকে নিজৰ ভাই ইস্ৰায়েলী সন্তান
সকলৰ পৰা বিধান অনুসাৰে দশমাংশ গ্ৰহণ কৰাৰ আদেশ পালে,
যদিও তেওঁলোক উভয়েই অব্ৰাহামৰ বংশধৰ। ৬ কিন্তু মল্কিচেদক, যি
জন লেবীৰ বংশধৰ নোহোৱাতো তেওঁ অব্ৰাহামৰ পৰা দশম ভাগ
লৈছিল আৰু যি জনৰ ওচৰত ঈশ্বৰে প্ৰতিজ্ঞা কৰিছিল, সেই অব্ৰাহামক
তেওঁ আশীৰ্বাদো কৰিছিল। ৭ এই বিষয়ত কোনো সন্দেহ নাই যে
সৰু লোকেই সকলো সময়ত ডাঙৰৰ পৰা আশীৰ্বাদ লাভ কৰে। ৮
এফালে দেখা যায়, যি সকলে দশম ভাগ পায়, তেওঁলোক মৃত্যুৰ
অধীন মানুহ; কিন্তু আনফালে, যি জনে অব্ৰাহামৰ পৰা দহ ভাগৰ
এভাগ পালে তেওঁ জীয়াই আছে বুলি সাক্ষ্য পোৱা হৈছে। ৯ পুণৰ
ইয়াক এনেকৈয়ো ক'ব পাৰি যে, লেবীয়ে দহ ভাগৰ এভাগ পাইছিল
আৰু তেওঁ নিজেও অব্ৰাহামৰ যোগেদি দহ ভাগৰ এভাগ দিলে; ১০
কিয়নো মল্কিচেদকৰ সৈতে যেতিয়া অব্ৰাহামৰ সাক্ষাৎ হৈছিল তেতিয়া
লেবী তেওঁৰ পূৰ্বপুৰুষ আব্ৰাহামৰ শৰীৰৰ ভিতৰত আছিল। ১১ লেবীয়া
পৌৰহিত্যৰ অধীনত লোক সকলে বিধান পালে; এতেকে সেই লেবীয়া
পুৰোহিতৰ কাৰ্যৰ দ্বাৰাই যদি পূৰ্ণতা লাভ কৰিব পাৰি, তেনেহলে
আন এজন পুৰোহিতৰ প্ৰয়োজন নহ'লহেঁতেন, যি জন প্ৰথম লেবীয়া
পুৰোহিত হাৰোণৰ ৰীতিৰ নিচিনা নহয়, কিন্তু মল্কিচেদকৰ ৰীতিৰ
নিচিনা আছিল। ১২ যেতিয়া পুৰোহিতৰ সলনি হয়, তেতিয়া বিধানো
সলনি হোৱা আৱশ্যক। ১৩ যি জনৰ বিষয়ে এই সকলো কথা কোৱা
হৈছে, তেওঁতো অন্য এক ফৈদৰ; সেই ফৈদৰ পৰা কোনেও কেতিয়াও
বেদিৰ কৰ্ম কৰা নাই। ১৪ কাৰণ ই সুস্পষ্ট যে আমাৰ প্ৰভু যিহূদা

ফৈদৰ পৰা আহিছে আৰু এই বংশৰ বিষয়ে পুৰোহিত হোৱাৰ বিষয়ে
মোচিয়ে কেতিয়াও একো কোৱা নাই। ১৫ এইবোৰ বিষয় অধিক
পৰিস্কাৰ হৈ যায় যেতিয়া মল্কিচেদকৰদৰে আন এজন পুৰোহিতৰ
উৎপন্ন হ'ল। ১৬ এই নতুন পুৰোহিত জন মানৱীয় ৰীতি-নীতি আৰু
বিধান অনুযায়ী পুৰোহিত হোৱা নাই, কিন্তু তেওঁ এক ধ্বংসহীন শক্তিৰ
অধিকাৰী হৈ তেনে হ'ল। ১৭ কিয়নো শাস্ত্ৰই তেওঁৰ বিষয়ে এই সাক্ষ্য
দিছে, তুমি চিৰকালৰ বাবে মল্কিচেদকৰ ৰীতি অনুসাৰে পুৰোহিত
হৈছা। **(aiōn g165)** ১৮ পুৰণি বিধান দূৰ কৰা হ'ল, কাৰণ ই দুৰ্বল আৰু
নিষ্ফল হৈ পৰিছিল। ১৯ কিয়নো মোচিৰ বিধানে একোকে সিদ্ধ কৰিব
নোৱাৰিলে। এতিয়া আমাৰ ওচৰত এক উত্তমতাৰ আশা আছে আৰু
সেই আশাৰ মাজেদি আমি ঈশ্বৰৰ ওচৰ চাপি যাওঁ। ২০ এই উত্তমতাৰ
আশা ঈশ্বৰে এক শপত নোলোৱাকৈ হোৱা নাছিল; কিন্তু আন সকল
পুৰোহিত হোৱাৰ সময়ত হ'লে ঈশ্বৰে কোনো শপত লোৱা নাছিল। ২১
ঈশ্বৰে যীচুক মহা-পুৰোহিত কৰাৰ সময়ত এক শপত খালে - "প্ৰভুৱে
শপত খালে আৰু তেওঁ এই বিষয়ত নিজৰ মন পৰিৱৰ্তন নকৰিব: 'তুমি
চিৰকালৰ এজন পুৰোহিত'।" **(aiōn g165)** ২২ এই শপতৰ দ্বাৰাই যীচু
উত্তমতাৰ এক বিধানৰ জামিনদাৰী হ'ল। ২৩ লেবী সকলৰ অনেকেই
এজনৰ পাছত আন জন পুৰোহিত হ'ল আৰু মৃত্যু হোৱাৰ কাৰণে
কোনো এজনে অনন্তকাল পৰিচৰ্যা কৰি যাব নোৱাৰিলে। ২৪ কিন্তু যীচু
চিৰকাল জীৱিত আছে বাবে তেওঁৰ পুৰোহিত পদো চিৰস্থায়ী। **(aiōn
g165)** ২৫ সেয়েহে যি সকলে যীচুৰ মাধ্যমেদি ঈশ্বৰৰ কাষ চাপে,
তেওঁলোকক যীচুৱে সম্পূৰ্ণকৈ উদ্ধাৰ কৰিব পাৰে; কাৰণ তেওঁলোকৰ
বাবে ঈশ্বৰৰ ওচৰত নিবেদন কৰিবলৈ যীচু সদায় জীয়াই আছে। ২৬
এনেকুৱা নিষ্পাপ, শুদ্ধ, পবিত্ৰ, পাপী সকলৰ পৰা পৃথক হোৱা এজন
মহা-পুৰোহিত আমাৰ বাবে প্ৰয়োজন আছিল। আকাশ-মণ্ডলৰ উৰ্দ্ধতো
তেওঁক তুলি নিয়া হৈছিল। ২৭ আন মহা-পুৰোহিত সকলৰ নিচিনাকৈ
প্ৰতিদিনে প্ৰথমে নিজৰ আৰু তাৰ পাছত লোক সকলৰ পাপৰ কাৰণে
বলি উৎসৰ্গ কৰাৰ তেওঁৰ কোনো প্ৰয়োজন নাই, কাৰণ তেওঁ নিজকে
বলিৰূপে উৎসৰ্গ কৰাৰ দ্বাৰাই এই কাম সকলোৰে কাৰণে এবাৰেই

সাধন কৰিলে। ২৮ কিয়নো বিধান অনুসাৰে যি মহা-পুৰোহিত সকলক
নিযুক্ত কৰা হয়, তেওঁলোক দূৰ্বল মানুহ; কিন্তু বিধানৰ পাছত ঈশ্বৰৰ
শপত বাক্যৰ দ্বাৰা যি জনক মহা-পুৰোহিতৰূপে নিযুক্তি দিয়া হ'ল,
তেওঁ চিৰকালৰ অৰ্থে সিদ্ধ, ঈশ্বৰৰ পুত্ৰ। (aiōn g165)

৮ এতিয়া আমি যি বিষয়ে কবলৈ লৈছোঁ, তাৰ সাৰ কথা হৈছে,
আমাৰ এজন মহা-পুৰোহিত আছে যি জন স্বৰ্গত মহিমাময় সিংহাসনৰ
সোঁফালে বহিল। ২ তেওঁ মহা-পবিত্ৰ স্থানত প্ৰকৃত উপাসনা তম্বুৰ
পৰিচৰ্যাকাৰী হৈছে৷ সেই তম্বু কোনো মৰ্ত্ত্যৰ দ্বাৰা স্থাপন কৰা নহয়,
কিন্তু প্ৰভুৰ দ্বাৰা স্থাপিত হৈছে৷ ৩ প্ৰত্যেক মহা-পুৰোহিতক বলি
আৰু উপহাৰ উৎসৰ্গ কৰিবলৈ নিযুক্ত কৰা হয়৷ এতেকে এই মহা-
পুৰোহিত সকলেও কিবা বস্তু উৎসৰ্গ কৰিব লাগে। ৪ কিন্তু খ্ৰীষ্ট যদি
পৃথিৱীত থাকিলহেঁতেন তেওঁ এজন পুৰোহিত হব নোৱাৰিলেহেঁতেন;
কিয়নো আগৰ বিধান অনুসাৰে উপহাৰ আদি উৎসৰ্গ কৰিবলৈ মানুহ
আছে; ৫ পুৰোহিত সকলৰ এই কাম স্বৰ্গীয় কামৰ এক নমুনা আৰু
ছাঁয়া মাথোন৷ কিয়নো মোচিয়ে যেতিয়া সেই উপাসনা তম্বুটো নিৰ্ম্মাণ
কৰিবলৈ লৈছিল, তেতিয়া তেওঁক ঈশ্বৰে এই বুলি সতৰ্ক কৰি দিছিল,
"চাবা, পাহাৰৰ ওপৰত তোমাক যি নমুনা দেখুওৱা হ'ল, ঠিক সেইদৰে
নিৰ্ম্মাণ কৰিবা।" ৬ কিন্তু এতিয়া, খ্ৰীষ্টক যি কাৰ্যত নিয়োগ কৰা
হৈছে, সেয়া সেই মহা-পুৰোহিত সকলতকৈয়ো অধিক গুণে উত্তম৷
কাৰণ তেওঁ এক উত্তম বিধানৰ মধ্যস্থ হৈছে, যি বিধান আগতকৈ
অধিক গুণে শ্ৰেষ্ঠ৷ এই বিধান, শ্ৰেষ্ঠ বিষয়ৰ প্ৰতিজ্ঞাবোৰৰ ওপৰত
স্থাপিত হৈছে৷ ৭ কিয়নো, সেই প্ৰথম বিধান নিৰ্দোষী হোৱা হ'লে,
দ্বিতীয়টোৰ কোনো প্ৰয়োজন নহ'লহেঁতেন। ৮ কিন্তু ঈশ্বৰে লোক
সকলৰ মাজত দোষ-ত্ৰুটি দেখাত কলে, "'প্ৰভুৱে কৈছে, চোৱা! সময়
আহিছে, মই ইস্ৰায়েলৰ আৰু যিহূদাৰ লোক সকলৰ সৈতে এটা নতুন
নিয়ম সম্পন্ন কৰিম, ৯ যি সময়ত মই মিচৰ দেশৰ পৰা তেওঁলোকৰ
ওপৰ-পুৰুষ সকলক হাতত ধৰি উলিয়াই আনিছিলো, সেই সময়ত
তেওঁলোকৰ কাৰণে যি বিধান দিছিলোঁ, এই নতুন বিধান, সেই বিধান
অনুসাৰে নহব৷ তেওঁলোকে মোৰ সেই বিধানত নচলিল বাবে মই

আৰু তেওঁলোকলৈ মনোযোগ নিদিলোঁ।' প্ৰভুৱে এই কথা কৈছে। ১০
প্ৰভুৱে পুনৰ কৈছে, 'সেই সময়ৰ পাছত, ইস্ৰায়েল-বংশৰ কাৰণে
মই এই নিয়ম স্থাপন কৰিম;' 'তেওঁলোকৰ চিত্তত মোৰ বিধান দিম,
আৰু তেওঁলোকৰ হৃদয়ত তাক লিখিম; মই তেওঁলোকৰ ঈশ্বৰ হ'ম
আৰু তেওঁলোক মোৰ লোক হ'ব।' ১১ "প্ৰভুক জানা" এই বুলি নিজৰ
প্ৰতিবেশীক আৰু নিজ নিজ ভায়েকক কোনো লোকে পুনৰ শিক্ষা
নিদিব৷ কাৰণ সৰুৰ পৰা বৰলৈকে সকলোৱে মোক জানিব৷ ১২ মই
তেওঁলোকৰ প্ৰতি দয়া দেখুৱাই, অধাৰ্মিকতাৰ কাৰ্যবোৰ ক্ষমা কৰিম;
তেওঁলোকৰ সকলো পাপ মই পুনৰ সোঁৱৰণ নকৰিম।" ১৩ ঈশ্বৰে এই
নিয়মক "নতুন" বুলি কৈ প্ৰথমটোক পুৰণি কৰিলে। কিন্তু যিটো পুৰণি,
সেয়া জীৰ্ণপ্ৰায় বুলি ঘোষণা কৰিলে আৰু ই শীঘ্ৰেই অদৃশ্য হৈ যাব৷

**৯** সেই প্ৰথম ব্যৱস্থাত এই জগতত সেৱা উপাসনা কৰিবলৈ নানা
বিধান দিয়া হৈছিল আৰু উপাসনাৰ বাবে এটি বিশেষ মহা-পবিত্ৰ স্থান
আছিল৷ ২ সেই অনুসাৰে এটা তম্বু নিৰ্ম্মাণ কৰা হৈছিল আৰু তাৰ
ভিতৰত এটা কোঠালি যুগুত কৰিছিল৷ সেই তম্বুৰ প্ৰথম অংশক 'অতি
পবিত্ৰ স্থান' বোলা হয়, তাতে দীপাধাৰ, মেজ আৰু ঈশ্বৰলৈ উৎসৰ্গ
কৰা বিশেষ পিঠা থাকে। ৩ আৰু দ্বিতীয় আঁৰ-কাপোৰৰ পাছফালে
আন এটা অংশ আছিল, সেই অংশক 'মহা-পবিত্ৰ স্থান' বোলা হৈছিল৷
৪ এই অংশত ধুপ জ্বলোৱাৰ কাৰণে সোণৰ বেদি আৰু ব্যৱস্থাৰ
নিয়ম-চন্দুক আছিল; ইয়াৰ চাৰিওফালে সোণৰ পতা মৰা আছিল
আৰু তাৰ ভিতৰত আছিল মান্না থকা সোণৰ ঘট, হাৰোণৰ লাখুটি
আৰু বিধান থকা দুখন শিলৰ ফলি। ৫ সেই চন্দুকৰ ওপৰত প্ৰতাপৰ
দুটা সোণৰ কৰূব আছিল, সিহঁতৰ পাখিবোৰে সেই চন্দুকৰ ঢাকনিৰ
ওপৰত ছাঁ দি ৰাখিছিল৷ এই সকলোৰ বিষয়ে আমি এতিয়া ভাঙি পাতি
ক'বলৈ নোৱাৰিম। ৬ এইদৰে সেইবোৰ নিৰ্ম্মিত হোৱাত পুৰোহিত
সকলে উপাসনাৰ কাৰ্য সিদ্ধ কৰিবলৈ প্ৰথম কোঁঠালিত সদায় সোমায়;
৭ কিন্তু দ্বিতীয়টোত হ'লে, কেৱল মহা-পুৰোহিতে অকলে বছেৰেকত
এবাৰ সোমায়; তেওঁ নিজৰ পাপৰ কাৰণে আৰু মানুহবোৰে নাজানি
কৰা পাপৰ কাৰণে উৎসৰ্গ কৰা পশুৰ তেজ নোলোৱাকৈ নোসোমায়।

৮ ইয়াতে পবিত্ৰ আত্মাই জনাইছে যে যিমান দিন এই প্ৰথম উপাসনাৰ
তম্বু থাকিব সিমান দিনলৈ সেই মহা-পবিত্ৰ স্থানত সোমোৱা প্ৰৱেশৰ
পথ খোলা নহব। ৯ ই আজিৰ কাৰণে এটা দৃষ্টান্ত স্বৰূপ; উৎসৰ্গিত
বলি আৰু উপহাৰে উপাসনাকাৰীৰ বিবেকক সম্পূৰ্ণ ৰূপে নিখুঁত কৰিব
পৰা নাই৷ ১০ এইবোৰ কেৱল আহাৰ, পানীয় আৰু নানা বিধ বাহ্যিক
শুচিতাৰ স্নান; এই সকলো নতুন আদেশ নহালৈকে মাংসিক ধৰ্ম-
বিধি মাত্ৰ৷ ১১ ভৱিষ্যত মঙ্গলৰ মহা-পুৰোহিত স্বৰূপে খ্ৰীষ্ট আহিল,
তেওঁ অধিক মহত্ত্ব আৰু অধিক সিদ্ধতাৰ পবিত্ৰ তম্বুৰেদি আহিল, এই
তম্বু মানুহৰ হাতেৰে বনোৱা নহয়, এই জগতৰ কোনো বস্তুৰেদিও
নহয়৷ ১২ ছাগলীৰ আৰু দামুৰিৰ তেজৰ গুণে নহয়, কিন্তু তেওঁ নিজৰ
তেজৰ গুণে খ্ৰীষ্ট একেবাৰতে সকলোৰে কাৰণে অতি পবিত্ৰ স্থানত
সোমাই আমাৰ বাবে অনন্তকাল স্থায়ী মুক্তি উপাৰ্জ্জন কৰিলে। (aiōnios
g166) ১৩ ছাগ বা ভতৰাৰ তেজ আৰু চেঁউৰীৰ ভস্ম, এই সকলো
অশুচি মানুহৰ ওপৰত চতিয়াই তেওঁলোকৰ শৰীৰৰ শুচিতাৰ কাৰণে
পবিত্ৰ কৰে৷ ১৪ তেনেহলে যি জনে অনন্ত আত্মাৰে ঈশ্বৰৰ উদ্দেশ্যে
নিৰ্দোষী বলি স্বৰূপে নিজকে উৎসৰ্গ কৰিলে, সেই খ্ৰীষ্টৰ তেজে
আমাৰ বিবেকক মৃত কৰ্মৰ পৰা কিমান অধিক গুণে শুচি কৰিব!
যাতে আমি জীৱনময় ঈশ্বৰৰ সেৱা কৰিব পাৰোঁ৷ (aiōnios g166) ১৫
ঈশ্বৰে যি সকলক আমন্ত্ৰণ কৰি অনন্ত কালৰ অধিকাৰ দিয়াৰ প্ৰতিজ্ঞা
কৰিছিল, তেওঁলোকে যেন তাক পায়, সেই কাৰণে খ্ৰীষ্টে নতুন নিয়মৰ
মধ্যস্থ হ'ল৷ তেওঁলোক সেইবোৰৰ অধিকাৰী হ'ব, কাৰণ প্ৰথম বিধান
চলি থকাৰ সময়ত তেওঁলোকে যি পাপ কৰিলে, সেই পাপৰ পৰা
তেওঁলোকক মুক্তি দিবলৈ খ্ৰীষ্টই আপোন প্ৰাণ দিলে৷ (aiōnios g166) ১৬
কোনোবাই নিয়ম-পত্ৰ কৰি গ'লে, যি জনে নিয়ম কৰিছে তেওঁৰ মৃত্যুৰ
প্ৰমাণ পোৱা আৱশ্যক। ১৭ মৃত্যু ঘটিলেহে নিয়ম-পত্ৰ কাৰ্যকৰী হয়;
কাৰণ নিয়ম কৰা জন জীয়াই থাকে মানে সেই নিয়ম-পত্ৰ কাৰ্যকৰী
নহয়৷ ১৮ ঠিক সেইদৰে সেই প্ৰথম বিধান তেজৰ বিনে স্থাপন নহ'ল।
১৯ সকলো লোকৰ ওচৰত বিধানৰ প্ৰতিটো আদেশ ঘোষণা কৰাৰ
পাছত মোচিয়ে দামুৰি আৰু ছাগৰ তেজ লৈ তাৰ লগত পানী মিহলাই

উজ্বল ৰঙা বৰণীয়া মেষৰ নোম আৰু এচোব বনেৰে সৈতে বিধান
পুস্তক আৰু সকলো মানুহৰ ওপৰত চতিয়াই দিছিল৷ ২০ তেতিয়া তেওঁ
কৈছিল “ঈশ্বৰে তোমালোকৰ উদ্দেশ্যে দিয়া যি বিধানৰ আজ্ঞা, এয়ে
সেই নিয়মৰ তেজ।” ২১ উপাসনা তম্বু আৰু উপাসনাৰ কামত ব্যৱহৃত
সকলো পাত্ৰৰ ওপৰত মোচিয়ে সেইদৰে তেজ ছটিয়াই দিছিল৷ ২২
বিধানৰ মতে প্ৰায় সকলোকেই তেজেৰে শুচি কৰা হয়; তেজ উলিওৱা
নহ’লে পাপ-মোচন নহয়। ২৩ এতেকে যি স্বৰ্গীয় বিষয়ৰ নকল মাত্ৰ,
সেইবোৰ এই উপায়েৰে শুচি কৰা হোৱা আৱশ্যক; কিন্তু আচল যি
স্বৰ্গীয় বিষয়, সেয়ে ইয়াতকৈ শ্ৰেষ্ঠ বলিদানৰ দ্বাৰাই শুচি কৰা হোৱা
আৱশ্যক। ২৪ কিয়নো প্ৰকৃতিৰ প্ৰতিৰূপ মাত্ৰ যি হাতে কৰা পবিত্ৰ
স্থান, সেয়া সত্যৰ নকলহে মাত্ৰ। খ্ৰীষ্ট সেই ঠাইত নোসোমাল; কিন্তু
সম্প্ৰতি আমাৰ কাৰণে তেওঁ ঈশ্বৰৰ সাক্ষাতে উপস্থিত হ’বলৈ স্বৰ্গতহে
সোমাল। ২৫ কিন্তু মহা-পুৰোহিতে যেনেকৈ পৰৰ তেজ লৈ বছৰে
বছেৰে পবিত্ৰ স্থানত সোমায়, তেনেকৈ তেওঁ বাৰে বাৰে নিজকে
উৎসৰ্গ কৰিবলৈ যে সোমাল, এনে নহয়; ২৬ সেয়ে হোৱা হলে জগত
স্থাপনৰে পৰা তেওঁ অনেকবাৰ দুখভোগ কৰিব লাগিলহেঁতেন; কিন্তু
এতিয়া তেওঁ আত্ম-বলিদানৰ দ্বাৰাই পাপ নাশৰ অৰ্থে যুগবোৰৰ
শেষত এবাৰ মাথোন প্ৰকাশিত হ’ল। **(aiōn g165)** ২৭ আৰু যেনেকৈ
এবাৰ মাথোন মৰিবলৈ আৰু তাৰ পাছত সোধ-বিচাৰ মানুহৰ কাৰণে
নিৰূপিত আছে, ২৮ তেনেকৈ খ্ৰীষ্টও অনেকৰ পাপৰ ভাৰ ববৰ কাৰণে
এবাৰ উৎসৃষ্ট হ’লত; দ্বিতীয় বাৰ বিনাপাপে তেওঁলৈ অপেক্ষা কৰি
থকা সকলক তেওঁ পৰিত্ৰাণৰ অৰ্থে দৰ্শন দিব।

**১০** কিয়নো বিধান ভাবি মঙ্গলৰ ছায়া বিশিষ্ট হৈ, বিধান সেইবোৰ
বিষয়ৰ প্ৰকৃত ৰূপ নহয়৷ সেয়েহে যি সকল পুৰোহিতে ঈশ্বৰৰ উপাসনা
কৰিবলৈ আহে, তেওঁলোকে বছৰ বছৰ একে ৰূপে বাৰে বাৰে বলিদান
কৰে; কিন্তু বিধানে সেইবোৰৰ দ্বাৰাই চাপি যোৱা সকলক কেতিয়াও
সিদ্ধ কৰিব নোৱাৰে। ২ পৰা হ’লে, উৎসৰ্গ কৰা স্থগিত হ’লহেতেন
নহয় নে? কিয়নো আৰাধনাকাৰী সকল এবাৰ শুচিকৃত হোৱা হ’লে,
তেওঁলোকৰ কোনো পাপ বিবেক পুনৰ নাথাকিলেহেতেন। ৩ কিন্তু

সেই সকলোবোৰৰ দ্বাৰাই বছৰে বছৰে পাপহে সোঁৱৰণ কৰা হৈছে।
৪ কিয়নো পাপ গুচাবলৈ ভতৰা আৰু ছাগলীৰ তেজৰ সাধ্য নাই৷ ৫
এই হেতুকে খ্ৰীষ্টে জগতত সোমোৱা কালত কয়, তুমি বলিদান আৰু
নৈবেদ্যলৈ ইচ্ছা নকৰিলা, কিন্তু মোৰ বাবে শৰীৰ যুগুত কৰিলা; ৬
হোমত আৰু পাপাৰ্থক বলিদানত তুমি সন্তুষ্ট নহ'লা; ৭ তেতিয়া মই
কলোঁ, চোৱা মই আহিলোঁ, পুস্তকত মোৰ বিষয়ে যেনেদৰে লিখা
আছে, হে ঈশ্বৰ, মই তোমাৰ ইচ্ছা পালন কৰিবলৈ আহিলোঁ। ৮ তেওঁ
পূৰ্বৰ বিৱৰণ অনুসৰি কয়, “বলিদান, নৈবেদ্য, হোম আৰু পাপাৰ্থক
বলিদানলৈ তুমি ইচ্ছা নকৰিলা, আৰু সেইবোৰত সন্তুষ্টও নহ'লা,”
যদিও এইবোৰ বলিদান বিধান অনুসৰি উৎসৰ্গ কৰা হয়৷ ৯ তাৰ
পাছত ক'লে, “চোৱা মই তোমাৰ ইচ্ছা পালন কৰিবলৈ আহিলোঁ।”
তেওঁ দ্বিতীয়টো স্থাপিত কৰিবৰ কাৰণে, প্ৰথমটো আতৰাই পেলালে।
১০ সেইদৰে দ্বিতীয়টো স্থাপিত হোৱাৰ যোগেদি ঈশ্বৰৰ ইচ্ছাৰে আমি
যীচু খ্ৰীষ্টৰ শৰীৰ বলিদান স্বৰূপে একেবাৰে উৎসৰ্গ কৰাৰ দ্বাৰাই
পবিত্ৰীকৃত হলোঁ। ১১ প্ৰতিজন পুৰোহিতে থিয় হৈ দিনে দিনে সেৱা
কাৰ্য কৰি, যি প্ৰকাৰৰ বলিদানে কেতিয়াও পাপ গুচাব নোৱাৰে, সেই
একে প্ৰকাৰৰ বলিদান বাৰে বাৰে উৎসৰ্গ কৰি থাকে; ১২ কিন্তু খ্ৰীষ্টে
হ'লে, একমাত্ৰ পাপাৰ্থক বলিদান উৎসৰ্গ কৰিলে আৰু সদাকালৰ অৰ্থে
ঈশ্বৰৰ সোঁফালে বহিল৷ ১৩ তেতিয়াৰে পৰা তেওঁ শত্ৰু সকলক তেওঁৰ
ভৰি-পীৰা নকৰা পৰ্য্যন্ত অপেক্ষা কৰি আছে। ১৪ কাৰণ তেওঁ পবিত্ৰ
কৰা সকলক একমাত্ৰ নৈবেদ্যৰ দ্বাৰাই সদাকালৰ অৰ্থে পবিত্ৰীকৃত
কৰিলে। ১৫ ইয়াৰ উপৰি পবিত্ৰ আত্মায়ো আমাক সাক্ষ্য দিছে;
সেয়েহে প্ৰথমে তেওঁ কৈছে, ১৬ সেই দিনৰ পাছত প্ৰভুৱে কৈছে,
তেওঁলোকে সৈতে মই এই নিয়ম কৰিম৷ মই তেওঁলোকৰ হৃদয়ত
মোৰ বিধান গাঠি দিম, আৰু তেওঁলোকৰ মনত সেইবোৰ লিখি দিম;
১৭ এই কথা কোৱাৰ পাছত তেওঁ পুনৰ কয়: মই তেওঁলোকৰ পাপ
আৰু অধৰ্মবোৰ পুনৰ সোঁৱৰণ নকৰিম। ১৮ সেয়েহে এবাৰ যেতিয়া
সেই সকলো পাপ-মোচন কৰা হ'ল, এনে স্থলত পাপৰ বাবে পুনৰ
বলিদান কৰাৰ কোনো প্ৰয়োজন নাই। ১৯ এতেকে, হে ভাই সকল,

সেই মহা-পবিত্ৰ স্থানত প্ৰৱেশ কৰাৰ সম্পূৰ্ণ অধিকাৰ আমাৰ আছে৷
যীচুৰ তেজৰ গুণত আমি নিৰ্ভিকতাৰ সৈতে সেই ঠাইত প্ৰৱেশ কৰিব
পাৰোঁ৷ ২০ তেওঁ আমাৰ কাৰণে সেই আঁৰ-কাপোৰৰ মাজেদি এটা পথ
মুকলি কৰিলে অৰ্থাৎ তেওঁৰ শৰীৰৰ যোগেদি আমাৰ বাবে সেই পথে
মুকলি কৰি দিলে, সেই পথ নতুন আৰু জীৱনময়৷ ২১ আৰু আমাৰ
কাৰণে ঈশ্বৰৰ গৃহৰ ওপৰত নিযুক্ত এজন মহান পুৰোহিত থকাত, ২২
সেয়েহে আহক, আমাৰ হৃদয় কু-বিবেকৰ পৰা নিৰ্মল কৰা হোৱাত,
সত্য হৃদয়ৰ সহিত সম্পূৰ্ণ নিশ্চয়তাযুক্ত বিশ্বাসেৰে ঈশ্বৰৰ ওচৰলৈ
চাপি যাওঁহক, ২৩ এতিয়া আহক, আমাৰ শৰীৰো শুদ্ধ পানীৰে ধুউৱা
হোৱাত, আমি স্বীকাৰ কৰা আশা দৃঢ় ৰূপে ধৰি ৰাখোহঁক; কিয়নো যি
জনে প্ৰতিজ্ঞা কৰিলে তেওঁ বিশ্বাসী। ২৪ সেয়েহে সকলোৱে প্ৰেমত
আৰু সৎকৰ্মত উদগণি দিবলৈ পৰস্পৰে গভীৰ ভাবে চিন্তা কৰি চাওঁ
আহক; ২৫ কোনো কোনো জনৰ দস্তুৰ মতে আমি গোট হৈ সমৱেত
হোৱাৰ অভ্যাস ত্যাগ নকৰোঁ আহক; কিয়নো দিন যিমান ওচৰ হৈ
আহিছে, সিমানে অধিককৈ পৰস্পৰে পৰস্পৰক উদগাওহক। ২৬
যদি সত্যৰ তত্ত্ব-জ্ঞান পোৱাৰ পাছত আমি জানি শুনি পাপ-আচৰণ
কৰোঁ, তেনেহলে পাপৰ কাৰণে বলিদান কৰা পুনৰ বাকী নাথাকে;
২৭ কেৱল সোধ-বিচাৰৰ এক ৰকম ভয়ংকৰ অপেক্ষা, আৰু ঈশ্বৰৰ
বিপক্ষ সকলক গ্ৰাস কৰিবলৈ উদ্যত হৈ থকা অনন্ত জুই ৰৈ থাকিব।
২৮ যি কোনোৱে মোচিৰ বিধান অৱহেলা কৰে, তেওঁ দুই বা তিনি
সাক্ষীৰ প্ৰমাণেৰে, নিৰ্দয়ভাবে মৰিব লগা হয়। ২৯ তেনেহলে ঈশ্বৰৰ
পুত্ৰক যি জনে ভৰিৰ তলত গছকে, আৰু নিয়মৰ যি তেজৰ দ্বাৰাই
তেওঁ পবিত্ৰীকৃত হৈছিল, সেই তেজক যি জনে অশুচি কৰে, আৰু
অনুগ্ৰহৰ আত্মাৰ অপমান কৰে, সেই জন আপোনালোকৰ বিবেচনা
অনুসৰি, তেওঁ তাতকৈ কিমান দুৰ্ঘোৰ দণ্ডৰ যোগ্য-পাত্ৰ বুলি গণিত
হ'ব! ৩০ কিয়নো আমি জানো, তেওঁ কৈছে, “প্ৰতিশোধ লোৱা মোৰ
কৰ্ম, মইহে প্ৰতিফল দিম;” আৰু কৈছে, “প্ৰভুৱে নিজৰ লোক সকলৰ
সোধ-বিচাৰ কৰিব৷” ৩১ জীৱনময় ঈশ্বৰৰ হাতত পৰা অতি ভয়ংকৰ
কথা। ৩২ সেই পূৰ্বকালৰ দিনবোৰ সোঁৱৰণ কৰক, আপোনালোকে

পোহৰ পোৱাৰ পাছত, যিবোৰ দুখ আৰু কষ্ট ভোগ কৰিব লগা হৈছিল,
তথাপি আপোনালোক স্থিৰ আছিল৷ ৩৩ কেতিয়াবা লোক সকলে
আপোনালোকক প্ৰকাশ্যে নিন্দা কৰিছিল আৰু বহু মানুহৰ সন্মুখত
আপোনালোক নিৰ্যাতিত হৈছিল৷ কেতিয়াবা অন্য লোকৰ ওপৰত
আপোনালোকৰ দৰে নিৰ্যাতন হোৱা দেখি, আপোনালোকেও সেই
লোক সকলক সহানুভুতি দেখুৱাইছিল৷ ৩৪ যি সকল কাৰাগাৰত
বন্দী আছিল, আপোনালোকে তেওঁলোকক সাহায্য কৰিছিল আৰু
তেওঁলোকৰ দুখত সহানুভুতিশীল হৈছিল৷ আপোনালোকৰ কোনো
বস্তু কোনোবাই বাজেয়াপ্ত কৰিলেও, আপোনালোকে আনন্দ কৰিছে,
কাৰণ আপোনালোকে জানিব পাৰিছে যে, এইবোৰ বস্তুতকৈ উৎকৃষ্ট
আৰু চিৰস্থায়ী এটা সম্পদ আপোনালোকৰ বাবে আছে৷ ৩৫ এতেকে
আপোনালোকে সাহস নেহেৰুৱাব, সেই সাহসে আপোনালোকক মহা-
পুৰস্কাৰ আনি দিব৷ ৩৬ কিয়নো আপোনালোকে ঈশ্বৰৰ ইচ্ছা পালন
কৰি প্ৰতিজ্ঞাৰ ফল যেন পায়, তাৰ বাবে আপোনালোকৰ ধৈৰ্যৰ
প্ৰয়োজন আছে। ৩৭ কিয়নো অলপতে আহিব লগা জন আহিব ধৰিছে,
পলম নকৰিব। ৩৮ কিন্তু মোৰ ধাৰ্মিক জন বিশ্বাসৰ দ্বাৰাই জীয়াই
থাকিব; কিন্তু যদি হুঁহকি যায়, তেনেহলে মোৰ প্ৰাণ সেই জনত সন্তুষ্ট
নহ'ব। ৩৯ কিন্তু যিবোৰে সৰ্ব্বনাশলৈ হুঁহকি যায়, আমি তেওঁলোকৰ
মাজৰ নহওঁ; আমি জীৱাত্মাৰ ৰক্ষা লাভ কৰিবৰ বাবে বিশ্বাস কৰা
সকলৰ মাজৰহে হৈছোঁ।

**১১** বিশ্বাস হৈছে, আশা কৰা বিষয়ৰ নিশ্চিত জ্ঞান, অদৃশ্য বিষয়ৰ
প্ৰমাণ প্ৰাপ্তি। ২ কিয়নো তাতেই বিশ্বাসৰ দ্বাৰাই আমাৰ বৃদ্ধ পুৰুষ
সকলে সাক্ষ্য পালে। ৩ বিশ্বাসৰ দ্বাৰাই আমি বুজিলো যে, সৃষ্টি খন
ঈশ্বৰৰ বাক্যৰ যোগেদি স্থাপন কৰা হ'ল; তাতে দৃশ্যবস্তুবোৰ যে
প্ৰকাশিত বস্তুবোৰৰ পৰা উৎপন্ন কৰা হ'ল, এনে নহয়। **(aiōn g165)** ৪
বিশ্বাসৰ গুণে হেবলে ঈশ্বৰৰ উদ্দেশ্যে কয়িনতকৈয়ো উত্তম বলিদান
উৎসৰ্গ কৰিলে; আৰু তাৰ দ্বাৰায়েই, তেওঁ যে ধাৰ্মিক, ইয়াৰে সাক্ষ্য
পালে৷ ঈশ্বৰে তেওঁৰ উপহাৰৰ বিষয়ে সাক্ষ্য দিছিল; আৰু তাৰ দ্বাৰাই
তেওঁ মৃত হৈয়ো এতিয়ালৈকে কথা কৈ আছে। ৫ বিশ্বাসৰ গুণে,

হনোকে মৃত্যু নেদেখিবৰ কাৰণে, তেওঁক লোকান্তৰলৈ নিয়া হ’ল;
তাতে তেওঁক পোৱা নগ’ল; কিয়নো ঈশ্বৰে তেওঁক লোকান্তৰলৈ নিলে;
কাৰণ লোকান্তৰলৈ নিয়াৰ পূৰ্বেই, তেওঁ যে ঈশ্বৰক সন্তুষ্ট কৰিলে,
ইয়াৰ সাক্ষ্য পালে। ৬ কিন্তু বিনা বিশ্বাসেৰে ঈশ্বৰক সন্তুষ্ট কৰা
অসাধ্য; কিয়নো, ঈশ্বৰ যে আছে, আৰু তেওঁ যে তেওঁক বিচৰা লোকৰ
পুৰস্কাৰ দিওঁতা হয়, ইয়াকে তেওঁৰ ওচৰলৈ চপা মানুহে বিশ্বাস
কৰিব লাগে। ৭ বিশ্বাসৰ গুণে নোহে, ভাবি বিষয়ত আদেশ পাই
ভয়তে নিজৰ পৰিয়ালৰ পৰিত্ৰাণৰ অৰ্থে এখন জাহাজ নিৰ্ম্মাণ কৰিলে,
আৰু তাৰ দ্বাৰাই জগতক দোষী কৰি, নিজে বিশ্বাসমূলক ধাৰ্মিকতাৰ
অধিকাৰী হ’ল। ৮ ঈশ্বৰত বিশ্বাস আছিল কাৰণে ঈশ্বৰে যেতিয়া
অব্ৰাহামক আহ্বান কৰিলে, তেতিয়া তেওঁ বাধ্য হ’ল, আৰু তেওঁক
যি দেশ দিম বুলি ঈশ্বৰে কৈছিল, সেই দেশ অধিকাৰ কৰিবৰ বাবে
তেওঁ গৈছিল; আৰু ক’লৈ যাব লাগে, সেই বিষয়ে নাজানিও ওলাই
গৈছিল। ৯ এইদৰে বিশ্বাসৰ দ্বাৰাই তেওঁ বিদেশীৰ দৰে প্ৰতিজ্ঞাৰ
দেশত প্ৰবাসী হৈ থাকিল৷ সেই একে প্ৰতিজ্ঞাৰ সহধিকাৰী ইচহাক
আৰু যাকোবৰ সহিত তম্বুত বাস কৰিছিল; ১০ কিয়নো যি নগৰৰ
প্ৰতিস্থাপক আৰু নিৰ্ম্মাণকৰ্ত্তা ঈশ্বৰ, সেই ভিত্তিমূল থকা নগৰ বাবে
তেওঁ অপেক্ষা কৰি আছিল। ১১ বিশ্বাসৰ যোগেদি অব্ৰাহাম আৰু
চাৰায়ো অতিৰিক্ত বয়সত বংশ উৎপাদনৰ শক্তি পালে; কিয়নো তেওঁ
প্ৰতিজ্ঞা কৰা জনক বিশ্বাসী বুলি জ্ঞান কৰিছিল। ১২ এই হেতুকে
এজনৰ পৰা, সেই মৃত্যু তুল্য জনৰ পৰাই, লেখত আকাশৰ তৰাবোৰৰ
সমান, আৰু সাগৰৰ তীৰত থকা বালিৰ নিচিনা অসংখ্য লোক উৎপন্ন
হ’ল। ১৩ সেই সকলো বিশ্বাসত মৰিল; তেওঁলোকে প্ৰতিজ্ঞাবোৰৰ
ফল নাপালে; কিন্তু দূৰৈতে সেইবোৰক দেখি নমস্কাৰ কৰিছিল; আৰু
নিজে যে পৃথিৱীত বিদেশী আৰু প্ৰবাসী, তাক স্বীকাৰ কৰিছিল। ১৪
কিয়নো যি সকলে এনেকুৱা কথা কয়, তেওঁলোকে যে নিজ দেশ
বিচাৰিছে, ইয়াকে প্ৰকাশ কৰে। ১৫ তেওঁলোকে যি দেশৰ পৰা
ওলাই আহিছিল, তালৈ মন কৰা হ’লে, অৱশ্যে উলটি যাবলৈ সু-
সময় পালেহেঁতেন। ১৬ কিন্তু এতিয়া তেওঁলোকে তাতকৈ এটি উত্তম

স্বৰ্গীয় দেশলৈ আকাংক্ষা কৰে; এই হেতুকে ঈশ্বৰে, তেওঁলোকৰ ঈশ্বৰ
বুলি প্ৰখ্যাত হ'বলৈ লাজ নাপায়; কিয়নো তেওঁলোকৰ কাৰণে তেওঁ
এখন নগৰ যুগুত কৰিলে। ১৭ অব্ৰাহাম পৰীক্ষিত হোৱাত, বিশ্বাসৰ
দ্বাৰাই ইচহাকক উৎসৰ্গ কৰিলে৷ হয়, তেওঁ আনন্দেৰে সেই প্ৰতিজ্ঞা
গ্ৰহন কৰি নিজৰ একমাত্ৰ পুত্ৰক উৎসৰ্গ কৰিলে, ১৮ যি জনৰ বিষয়ে
কৈছিল, “ইচহাকৰ জৰিয়তে তোমাৰ বংশধৰ সকলক দেখা পাবা৷”
১৯ কাৰণ ঈশ্বৰে যে মৃত লোকৰ মাজৰ পৰাও তুলিব পাৰে, ইয়াকে
অব্ৰাহামে দৃঢ় বিশ্বাস কৰিছিল, আৰু তাৰ পৰা দৃষ্টান্ত স্বৰূপে তেওঁক
পুনৰায় পালেও। ২০ বিশ্বাসৰ দ্বাৰাই ইচহাকে ভবিষ্যত বিষয়ৰ কথাত
যাকোব আৰু এচৌক আশীৰ্বাদ কৰিলে। ২১ বিশ্বাসৰ দ্বাৰাই যাকোবে,
মৰণ-কালত যোচেফৰ পুত্ৰ দুজনৰ প্ৰতিজনক আশীৰ্বাদ কৰিলে; আৰু
নিজৰ লাখুটিৰ মূৰত ভৰ দি, ভজনাও কৰিলে। ২২ বিশ্বাসৰ দ্বাৰাই
যোচেফে অন্তিম কালত মিচৰ দেশৰ পৰা ইস্ৰায়েলৰ সন্তান সকলক
ওলাই যোৱাৰ বিষয়ে উল্লেখ কৰিলে, আৰু নিজৰ অস্থিৰ বিষয়ে আদেশ
দিলে। ২৩ মোচিৰ জন্ম হোৱাত মাক-বাপেকে তিনি মাহলৈকে তেওঁক
লুকুৱাই থোৱা হৈছিল; বিশ্বাস আছিল কাৰণে তেওঁলোকে তেনেকৈ
ৰাখিছিল৷ কিয়নো তেওঁলোকে দেখিলে যে, লৰা জন অতি সুন্দৰ;
আৰু ৰজাৰ আজ্ঞালৈ তেওঁলোকে ভয় নকৰিলে। ২৪ বিশ্বাসৰ দ্বাৰাই
মোচি বয়সত বৃদ্ধি পায় বাঢ়িবলৈ ধৰিলে, আৰু ফৌৰণৰ জীয়েকৰ
পুত্ৰ বুলি প্ৰখ্যাত হ'বলৈ অস্বীকাৰ কৰিলে; ২৫ কিয়নো তেওঁ পাপৰ
অলপদিনীয়া সুখভোগ কৰাতকৈ, ঈশ্বৰৰ লোকৰ লগত দুখভোগ
কৰাকে মনোনীত কৰিলে, ২৬ আৰু মিচৰৰ সকলো সম্পত্তিতকৈ
খ্ৰীষ্টৰ নিন্দা মহা ধন জ্ঞান কৰিলে; কিয়নো তেওঁ পুৰস্কাৰ-দানলৈ
দৃষ্টি কৰিছিল। ২৭ বিশ্বাসৰ গুণে তেওঁ ৰজাৰ ক্ৰোধলৈ ভয় নকৰি,
মিচৰ দেশ ত্যাগ কৰিলে; কিয়নো অদৃশ্য জনক দেখা পোৱাৰ দৰে
তেওঁ থিৰে থাকিল। ২৮ আৰু প্ৰথমে জন্ম পোৱা সকলৰ সংহাৰকৰ্ত্তাই
তেওঁলোকক স্পৰ্শ নকৰিবৰ কাৰণে, তেওঁ বিশ্বাসৰ গুণে নিস্তাৰ-
পৰ্ব পালন আৰু তেজ লগোৱা কাৰ্য কৰিলে। ২৯ বিশ্বাসৰ দ্বাৰাই
তেওঁলোকে, শুকান মাটিয়েদি যোৱাৰ দৰে, লোহিত সাগৰৰ মাজেদি

যাত্ৰা কৰিলে; কিন্তু মিচৰ দেশৰ লোক সকলে আহিবলৈ চেষ্টা কৰোঁতে
তেওঁলোকক গ্ৰাস কৰা হ'ল। ৩০ বিশ্বাসৰ দ্বাৰাই সাত দিন যিৰীহোৰ
গড় প্ৰদক্ষিণ কৰোঁতে সেই গড় খহি পৰিল। ৩১ বিশ্বাসৰ দ্বাৰাই ৰাহাব
বেশ্যাই চোৰাংচোৰা সকলক শান্তিৰে আলহীৰূপে গ্ৰহন কৰোঁতে,
অবাধ্য সকলৰ লগত তেওঁ বিনষ্ট নহ'ল। ৩২ আৰু অধিক কি ক'ম,
গিদিয়োন, বাৰাক, চিমচোন, যিপ্তহ, দায়ুদ, চমূৱেল, আৰু ভাৱবাদী
সকল, এই সকলোৰে বৃত্তান্ত ক'বলৈ গলে সময় নোজোৰে; ৩৩
তেওঁলোকে বিশ্বাসৰ দ্বাৰাই নানা ৰাজ্য পৰাজয় কৰিলে, ধাৰ্মিকতাৰ
কৰ্ম কৰিলে, প্ৰতিজ্ঞাৰ ফল পালে, সিংহবোৰৰ মুখ বন্ধ কৰিলে, অগ্নিৰ
তাপ নুমুৱালে, ৩৪ তৰোৱালৰ মুখৰ পৰা হাত সাৰিলে, দূৰ্বলতাৰ
পৰাও বলৱন্ত হ'ল, যুদ্ধত পৰাক্ৰমী হ'ল, অন্য জাতিৰ সৈন্যবোৰক
হৰুৱালে। ৩৫ তিৰোতা সকলে নিজ নিজ মৃত লোকক পুনৰুত্থানৰ
দ্বাৰাই পুনৰায় পালে; আৰু আন লোক সকলে শ্ৰেষ্ঠ পুনৰুত্থানৰ ভাগী
হ'বৰ কাৰণে, মুক্তি অগ্ৰাহ্য কৰি, যন্ত্ৰণা-যন্ত্ৰত প্ৰহাৰৰ দ্বাৰাই হত
হ'ল। ৩৬ আন আন মানুহে বিদ্ৰূপ আৰু চাবুকৰ কোব, বন্ধন আৰু
বন্দীশালৰ পৰীক্ষা পালে; ৩৭ তেওঁলোকক শিল দলিয়াই মৰা হ'ল,
কৰতেৰে ফলা হ'ল, তেওঁলোক নানা ধৰণৰ পৰীক্ষাৰে পৰীক্ষিত হ'ল;
তেওঁলোকক তৰোৱালেৰে বধ কৰা হ'ল; তেওঁলোকে দীনহীন, আৰু
ক্লেশ আৰু অত্যাচাৰ প্ৰাপ্তহৈ, মেষ আৰু ছাগলীৰ ছাল পিন্ধি ফুৰিছিল;
৩৮ (এই জগত তেওঁলোকৰ যোগ্য নাছিল; ) তেওঁলোক নিৰ্জন ঠাইত,
পৰ্বতত, গুহাত, আৰু পৃথিৱীৰ গহ্বৰত ফুৰিছিল; ৩৯ এই সকলোৱে,
বিশ্বাসৰ দ্বাৰাই সাক্ষ্য পালেও, প্ৰতিজ্ঞাৰ ফল নাপালে; ৪০ কিয়নো
ঈশ্বৰে আমাৰ কাৰণে কোনো শ্ৰেষ্ঠ বিষয় যুগুত কৰি ৰখা বাবে আমাৰ
অবিহনে তেওঁলোকক সিদ্ধ হ'বলৈ নিদিলে।

**১২** এতেকে ইমানবোৰ সাক্ষীয়ে আমাক চাৰিওফালে বেৰি থকা
দেখি, আহক, আমিও আটাই বাধা আৰু আমাক লগ ধৰি থকা পাপ দূৰ
কৰি আমাৰ আগত থকা দৌৰৰ পথত ধৈৰ্যৰে দৌৰোহঁক, ২ আহক
আমাৰ বিশ্বাসৰ আদি আৰু সিদ্ধিকৰ্ত্তা যীচুলৈ চাই থাকোঁহঁক; তেওঁ
তেওঁৰ আগত থকা আনন্দৰ কাৰণে অপমানকে হেয়জ্ঞান কৰি, ক্ৰুচ

যন্ত্রণা সহন কৰি, ঈশ্বৰৰ সিংহাসনৰ সোঁফালে বহিল। ৩ এতেকে আপোনালোকে যেন নিজ নিজ প্ৰাণৰ ক্লান্তিত ক্লান্ত নহব, এই কাৰণে যি জনে নিজৰ বিৰুদ্ধে কৰা পাপী সকলৰ এনে প্ৰতিবাদ সহন কৰিছিল, তেওঁলৈ মনোযোগ কৰোঁ আহক। ৪ আপোনালোকে পাপৰ লগত যুদ্ধ কৰি এতিয়াও তেজ বোৱালৈকে প্ৰতিৰোধ কৰা নাই; ৫ আৰু যি আশ্বাসৰ বাণীয়ে, পুত্ৰ বুলি আপোনালোকৰ লগত কথা-বাৰ্ত্তা কৰিছে, বোলে- "হে মোৰ পুত্ৰ প্ৰভুৰ শাসন হেয়জ্ঞান নকৰিবা, আৰু তেওঁৰ পৰা অনুযোগ পালে ক্লান্ত নহবা"; ৬ কিয়নো প্ৰভুৱে যাক প্ৰেম কৰে, তেওঁক শাস্তি দিয়ে, আৰু তেওঁ গ্ৰহন কৰা প্ৰতিজন পুত্ৰক কোবায়; এই কথা আপোনালোকে পাহৰিলে। ৭ আপোনালোকে যি সহন কৰি আছে, সেয়ে আপোনালোকৰ শাসনৰ অৰ্থে, ঈশ্বৰে পুত্ৰ সকলৰ প্ৰতি যেনেকৈ, তেনেকৈ আপোনালোকৰ প্ৰতিও ব্যৱহাৰ কৰি আছে; কিয়নো পিতৃয়ে শাস্তি নিদিয়া এনে কোন পুত্ৰ আছে? ৮ কিন্তু সকলোৱে যি শাসনৰ সহভাগী হ'ল, আপোনালোকে যদি তাৰ ভাগী নহয়, তেনেহলে আপোনালোক জাৰজহে পুত্ৰ নহয়। ৯ ইয়াৰ বাহিৰেও আমাৰ মাংসিক পিতৃ সকল শাসনকৰ্তা আছিল, আৰু আমি তেওঁলোকক সমাদৰ কৰিছিলোঁ; পাছত তাতকৈ, যি জন আত্মা সমূহৰ পিতৃ, তেওঁৰ বশীভূত হৈ জীৱন-ধাৰণ নকৰিম নে? ১০ তেওঁলোকে হ'লে, যেনেকৈ উচিত দেখিছিল, তেনেকৈ অলপ দিনৰ কাৰণে শাস্তি দিছিল; কিন্তু তেওঁ হ'লে আমাৰ হিতৰ কাৰণে, অৰ্থাৎ আমি যেন তেওঁৰ পবিত্ৰতাৰ ভাগী হওঁ, তাৰ কাৰণে শাস্তি দিছে। ১১ সকলো শাস্তি উপস্থিত সময়ত আনন্দৰ বিষয় নহয়, কিন্তু দুখৰ বিষয় যেন দেখা যায়, তথাপি পাছত তাৰ দ্বাৰাই অভ্যাস পোৱা লোক সকলক ধাৰ্মিকতাৰ শান্তিযুক্ত ফল দিয়ে। ১২ এই কাৰণে আপোনালোকে ওলমি পৰা হাত আৰু জঠৰ আঁঠু পোন কৰক; ১৩ আৰু খোৰাই যেন বিপথগামী নহয়, বৰং সুস্থ হয়, এই কাৰণে নিজ নিজ ভৰি লৈ, পোন বাট কৰক। ১৪ সকলোৱে সহিত ঐক্য, আৰু যি পবিত্ৰতাৰ অবিহনে কোনেও প্ৰভুৰ দৰ্শন নাপাব, সেই পবিত্ৰতাকো খেদি যাওঁক; ১৫ পাছত জানো কোনোৱে ঈশ্বৰৰ অনুগ্ৰহবিহীন হয়, বা কোনো তিতাৰ

মূল ওলাই আপোনালোকৰ বিঘিনি জন্মোৱাত, তাৰ দ্বাৰাই অধিক ভাগ
অশুচি হৈ যায়; ১৬ বা এসাঁজ আহাৰৰ কাৰণে নিজ জ্যেষ্ঠাধিকাৰ বেচা
যি এচৌ, তেওঁৰ নিচিনা কোনো ধৰ্মনিন্দক, বা কোনো ব্যভিচাৰী হয়,
তালৈ সাৱধানে দৃষ্টি ৰাখিবা। ১৭ কিয়নো আপোনালোকে জানে যে,
এচৌৱে পাছত সেই আশীৰ্বাদৰ অধিকাৰী হ'বৰ বাবে ইচ্ছা কৰিলে
আৰু চকুলোৰে সযত্নে বিচাৰিলতো, অগ্ৰাহ্য হ'ল, কাৰণ তেওঁ মন-
পালটন কৰিবলৈ ঠাই নাপালে। ১৮ কিয়নো স্পৰ্শনীয় আৰু অগ্নিৰে
প্ৰজ্বলিত পৰ্বত ক'লা বৰণীয়া মেঘ, আন্ধাৰ, ধুমুহা, বতাহ, তুৰীৰ
ধ্বনি, আৰু বাক্যৰ শব্দ, এইবোৰৰ ওচৰলৈ আপোনালোক অহা নাই;
১৯ সেই মাত শুনা লোক সকলে এই প্ৰাৰ্থনা কৰিলে যে, তেওঁলোকক
যেন পুনৰ কোনো বাক্য কোৱা নহয়; ২০ কিয়নো কোনো পশুৱেও
যদি সেই পৰ্বত স্পৰ্শ কৰে, তেনেহলে তাক শিল দলিয়াই মৰা হ'ব,
এই আজ্ঞা তেওঁলোকে সহিব নোৱাৰিলে, ২১ আৰু সেই দৰ্শন এনে
ভয়ঙ্কৰ যে, মোচিয়ে কৈছিল, মই বৰ ভয় পাই কঁপি আছোঁ; ২২ কিন্তু
চিয়োন পৰ্বত, জীৱনময় ঈশ্বৰৰ নগৰ, স্বৰ্গীয় যিৰূচালেম, আৰু তাত
দহ হাজাৰ স্বৰ্গৰ দূতে গুণ-কীৰ্তন কৰে৷ ২৩ স্বৰ্গত নাম লিখা প্ৰথমে
জন্ম পোৱা সকলৰ মহাসভা আৰু মণ্ডলী, সকলোৰে বিচাৰকৰ্তা ঈশ্বৰ,
সিদ্ধ হোৱা ধাৰ্মিক লোক সকলৰ আত্মা সমূহ, ২৪ নতুন নিয়মৰ মধ্যস্থ
যীচু, আৰু হেবলতকৈ অতি উত্তম কথা কওঁতা শান্তি কৰা তেজ, এই
সকলোৰ ওচৰলৈ াপোনালোক আহিল। ২৫ সাৱধান, বাক্য কওঁতা
জনক আপোনালোকে অগ্ৰাহ্য নকৰিব, কিয়নো যি জনে পৃথিৱীত
আদেশ দিছিল সেই জনক অগ্ৰাহ্য কৰা সকলেই যদি নাসাৰিল,
তেনেহলে যি জনে স্বৰ্গৰ পৰাই আদেশ দিলে, তেওঁৰ কৰা বিমুখ হলে
আমি যে নাসাৰিম; এই কথা কিমান অধিক গুণে নিশ্চয়! ২৬ তেতিয়া
তেওঁৰ ধ্বনিয়ে পৃথিৱী লৰাইছিল; কিন্তু এতিয়া তেওঁ প্ৰতিজ্ঞা কৰিলে,
বোলে, আৰু এবাৰ মই কেৱল পৃথিৱী লৰাম, এনে নহয় আকাশকো
লৰাম। ২৭ ইয়াতে, 'আৰু এবাৰ', এই শব্দই, অলৰ বস্তুবোৰ থাকিবৰ
কাৰণে, নিৰ্ম্মিত বস্তুৰ দৰে লৰোৱা বস্তুবোৰ দূৰ কৰা বুজাইছে। ২৮
এই হেতুকে আমি অলৰ ৰাজ্যৰ অধিকাৰী হোৱাত, আহা, যি অনুগ্ৰহৰ

দ্বাৰাই আমি ভক্তি আৰু ভয়েৰে সন্তোষজনক ৰূপত ঈশ্বৰৰ আৰাধনা
কৰিব পাৰোঁ, সেই অনুগ্রহ গ্রহন কৰি লওঁহক; ২৯ কিয়নো আমাৰ
ঈশ্বৰ গ্ৰাসকাৰী অগ্নিস্বৰূপ।

**১৩** ভাতৃ-প্ৰেম চলি থাকক। ২ আপোনালোকে অতিথি সেৱা
নাপাহৰিব; কিয়নো তাৰ দ্বাৰাই কোনো কোনোৱে নাজনাকৈয়ে স্বৰ্গৰ
দূত সকলকেই আলহী সুধিলে। ৩ বন্দীয়াৰ সকলক লগৰ বন্দীয়াৰ
যেন গণ্য কৰি তেওঁলোকক সোঁৱৰণ কৰক; নিজেও শৰীৰত জীয়াই
থকা বুলি জ্ঞান কৰি অত্যাচাৰ পোৱা সকলক সোঁৱৰণ কৰক। ৪
সকলোৱে মাজত বিবাহ আদৰণীয়, আৰু তাৰ শয্যা শুচি হওক;
কিয়নো ব্যভিচাৰী আৰু পৰস্ত্ৰীগামী সকলৰ সোধ-বিচাৰ ঈশ্বৰে কৰিব।
৫ আপোনালোকৰ আচাৰ-ব্যৱহাৰ নিৰ্ল্লোভী হওক, অৰ্থাৎ ধন সম্পত্তিক
প্ৰেম কৰা নহওক; আপোনালোকৰ যি আছে, তাতে আপোনালোক
সন্তুষ্ট হৈ থাকক; কিয়নো তেৱেঁ কৈছে, মই তোমাক কেতিয়াও নেৰিম,
কেতিয়াও ত্যাগ নকৰিম। ৬ এতেকে আমি সাহসেৰে ক'ব পাৰোঁ
যে, প্ৰভু মোৰ সহায়কৰ্তা; মই ভয় নকৰিম; মানুহে মোক কি কৰিব?
৭ আপোনালোকৰ যি নায়ক সকলে আপোনালোকক ঈশ্বৰৰ বাক্য
কৈ গ'ল, তেওঁলোকক সোঁৱৰণ কৰক; আৰু তেওঁলোকৰ জীৱন,
আচৰণৰ শেষগতি চাই-চিন্তি, তেওঁলোকৰ বিশ্বাসৰ অনুকাৰী হওক।
৮ যীচু খ্ৰীষ্ট কালি, আজি, আৰু চিৰকাললৈকে সেই একে হৈ আছে।
**(aiōn g165)** ৯ আপোনালোক নানা বিধ নতুন শিক্ষাৰ দ্বাৰাই বিপথে
চালিত নহ'ব; কিয়নো সেই আহাৰ ব্যৱহাৰ কৰা সকলৰ হিতজনক
নহ'ল, সেই আহাৰৰ দ্বাৰাই নহয়, অনুগ্ৰহৰ দ্বাৰাইহে হৃদয় স্থিৰ
কৰা ভাল৷ ১০ যি বেদিত ভোজন কৰিবলৈ তম্বুত আৰাধনা কৰা
সকলৰ ক্ষমতা নাই, এনে এটি বেদি আমাৰ আছে। ১১ কিয়নো
যি যি প্ৰাণীৰ তেজ পাপৰ বলিদান স্বৰূপে মহা-পুৰোহিতৰ দ্বাৰাই
পবিত্ৰ স্থানৰ ভিতৰলৈ নিয়া হয়, সেইবোৰৰ শৰীৰ ছাউনিৰ বাহিৰে
পোৰা যায়। ১২ এই কাৰণে যীচুৱেও, তেওঁৰ নিজৰ তেজৰ দ্বাৰাই
লোক সকলক পবিত্ৰ কৰিবলৈ, নগৰৰ দুৱাৰৰ বাহিৰত মৃত্যুভোগ
কৰিলে। ১৩ এতেকে আহক, তেওঁৰ নিন্দাৰূপ ভাৰ বৈ, ছাউনিৰ

বাহিৰে তেওঁৰ ওচৰলৈ আমি যাওঁহক। ১৪ কিয়নো ইয়াত আমাৰ
কোনো চিৰস্থায়ী নগৰ নাই; কিন্তু আমি সেই ভাবি নগৰ বিচাৰি আছোঁ।
১৫ এতেকে আহক, আমি তেওঁৰেই দ্বাৰাই সদায় ঈশ্বৰৰ উদ্দেশ্যে
স্তৱৰূপ যজ্ঞ, তেওঁৰ নাম স্বীকাৰকাৰী ওঁঠৰ ফল উৎসৰ্গ কৰোঁহক।
১৬ কিন্তু উপকাৰ আৰু সহভাগিতাৰ কাৰ্য নাপাহৰিব; কিয়নো এনে
যজ্ঞত ঈশ্বৰ সন্তুষ্ট হয়। ১৭ আপোনালোকে আপোনালোকৰ নায়ক
সকলক মান্য কৰি তেওঁলোকৰ বশীভূত হওক; কিয়নো হিচাপ দিব
লগা লোক সকলৰ দৰে তেওঁলোকে আপোনালোকৰ প্ৰাণৰ কাৰণে
প্ৰহৰী কাৰ্য কৰিছে; এতেকে তেওঁলোকে যেন সেই কৰ্ম আৰ্ত্তস্বৰেৰে
নকৰি আনন্দেৰে কৰিব পাৰিব, তাৰ কাৰণে তেওঁলোকৰ বশীভূত
হওক; কিয়নো আৰ্ত্তস্বৰেৰে কৰিলে আপোনালোকৰ একো হিত নহ'ব।
১৮ আপোনালোকে আমাৰ কাৰণেও প্ৰাৰ্থনা কৰিব; কিয়নো আমিও
আমাৰ সৎ বিবেক আৰু সকলো বিষয়তে সদাচৰণ কৰিবলৈ ইচ্ছা
কৰি আছোঁ, আৰু ইয়াক আমি দৃঢ় প্ৰত্যয় কৰোঁ; ১৯ কিন্তু মোক যেন
পুনৰ আপোনালোকৰ বাবে সোনকালে দিয়া হয়, এই কাৰণে প্ৰাৰ্থনা
কৰিবলৈ মই আপোনালোকক অধিক মিনতি কৰিছোঁ। ২০ শান্তিৰ
আঁকৰ যি ঈশ্বৰে, অনন্তকাল স্থায়ী নিয়মৰ তেজৰ গুণে মেৰবোৰৰ
সেই মহান ৰক্ষক, আমাৰ প্ৰভু যীচুক মৃত লোকৰ মাজৰ পৰা পুনৰায়
আনিলে, তেওঁ নিজৰ ইচ্ছা সাধনৰ অৰ্থে আপোনালোকক সকলো
সদবিষয়ত সিদ্ধ কৰক; **(aiōnios g166)** ২১ তেওঁৰ দৃষ্টিত যি উত্তম,
সন্তোষজনক, তাকে আমাৰ যীচু খ্ৰীষ্টৰ দ্বাৰাই সম্পন্ন কৰক; তেওঁৰ
মহিমা চিৰকাল হওক। আমেন। **(aiōn g165)** ২২ হে ভাই সকল, মই
আপোনালোকক উৎসাহিত কৰোঁ, আপোনালোকে এই উদগণিৰ
বাক্য সহন কৰিব; কিয়নো মই সংক্ষেপে আপোনালোকৰ বাবে
লিখিলোঁ। ২৩ আমাৰ ভাই তীমথিয়ক মুকলি কৰা হৈছে, ইয়াকে
জানিবা; তেওঁ সোনকালে আহিলে, তেৰেঁ সৈতে মই আপোনালোকক
দেখা কৰিবলৈ যাম। ২৪ আপোনালোকে আপোনালোকৰ নায়ক
সকলক আৰু সকলো পবিত্ৰ লোকক মঙ্গলবাদ দিব। ইটালী দেশৰ

লোক সকলে আপোনালোকক মঙ্গলবাদ কৰিছে। ২৫ আপোনালোক
সকলোৰে লগত অনুগ্ৰহ থাকক। আমেন।

# যাকোব

১ মই যাকোব, ঈশ্বৰ আৰু প্ৰভু যীচু খ্ৰীষ্টৰ এজন দাস, সিঁচৰিত
হৈ থকা বাৰ ফৈদৰ লোক সকলৰ ওচৰলৈ এই সম্ভাষণ। ২ হে
মোৰ ভাইসকল, আপোনালোকে যেতিয়া নানা বিধ পৰীক্ষাত পৰে,
তেতিয়া সেই বিষয়ক অতি আনন্দৰ বিষয় বুলি মানিব; ৩ কিয়নো
আপোনালোকৰ বিশ্বাসৰ পৰীক্ষাই যে সহন ক্ষমতা জন্মায়, সেই
বিষয়ে আপোনালোকে জানে। ৪ এই কাৰণে সহনশীলতাক সিদ্ধ
কাৰ্য-বিশিষ্ট কৰা হওক, যাতে আপোনালোকে একোতে অসম্পূৰ্ণ
নহৈ সিদ্ধ আৰু সম্পূৰ্ণ হয়৷ ৫ কিন্তু আপোনালোকৰ কাৰোবাৰ যদি
জ্ঞানৰ অভাৱ হয় তেনেহলে যি জন দিওঁতা ঈশ্বৰ, যি জনে গৰিহণা
নকৰাকৈ মুক্তহস্তে সকলোকে দান কৰে, তেওঁক যাচনা কৰক আৰু
তাতে আপোনালোকক দিয়া হ'ব। ৬ কিন্তু বিশ্বাসেৰে নিঃসংশয় হৈ
যাচনা কৰক; কিয়নো যি জনে সংশয় কৰে, তেওঁ বতাহে বলোৱা
আৰু ওপৰলৈ উধুৱা সাগৰৰ ঢৌৰ নিচিনা হয়। ৭ এনে ধৰণৰ মানুহে
যে প্ৰভুৰ পৰা কিবা পাব, ইয়াক তেওঁ নাভাবক; ৮ কিয়নো সেই
মানুহ, দুই মনৰ; তেওঁ নিজৰ সকলো গতিতে অস্থিৰ। ৯ যি ভাই
আৰ্থিকভাবে দূৰ্বল বা নম্ৰ; তেওঁ নিজৰ উচ্চপদৰ বাবে গৌৰৱ কৰক;
১০ যি জন ধনৱান, তেৰোঁ ঈশ্বৰে শিকোৱা নম্ৰতাত গৌৰৱ কৰক;
কিয়নো বনৰীয়া ফুল এটাৰ নিচিনা তেৰোঁ লুপ্ত হৈ যাব। ১১ কাৰণ সূৰ্য
অতি তাপৰ সৈতে উদয় হয় আৰু তৃণ শুকুৱায়, তাতে তাৰ ফুল সৰি
পৰে আৰু তাৰ সৌন্দৰ্য্যও নষ্ট হয়৷ এনেদৰে ধনৱান মানুহো এদিন
নিজৰ মাজতেই মলিন হৈ যাব। ১২ যি মানুহে পৰীক্ষা সহন কৰে,
তেওঁ ধন্য; কিয়নো পৰীক্ষা সাফল্য হ'লে, প্ৰভুক প্ৰেম কৰা সকলক
জীৱনৰূপ কিৰীটি দিবলৈ প্ৰভুৱে যি প্ৰতিজ্ঞা কৰিলে, সেয়া তেওঁ পাব।
১৩ কিন্তু যেতিয়া পৰীক্ষিত হয়, তেতিয়া কোনোৱে যেন এই বুলি
নকওঁক "ঈশ্বৰৰ দ্বাৰাই মই পৰীক্ষিত হৈছোঁ"; কিয়নো মন্দ বিষয়ত
ঈশ্বৰ নিজেও অপৰীক্ষিত আৰু কোনো লোকৰ পৰীক্ষাও তেওঁ নকৰে।
১৪ কিন্তু প্ৰত্যেক ব্যক্তি নিজৰ কু-অভিলাষৰ দ্বাৰাই প্ৰলোভিত হয় আৰু
ফুচুলনিত পৰি পৰীক্ষিত হয়। ১৫ তাতে সেই কু-অভিলাষে গৰ্ভধাৰণ

কৰি পাপ প্ৰসৱ কৰে; পাছত পাপ পূৰ্ণতাপ্ৰাপ্ত হ'লে, তাৰ ফলাফল
হয় মৃত্যু৷ ১৬ হে মোৰ প্ৰিয় ভাইসকল, আপোনালোক ভ্ৰান্ত নহব।
১৭ সকলো উত্তম দান আৰু সকলো সিদ্ধ বৰ ওপৰৰ পৰাহে আহে,
আৰু আকাশৰ জ্যোতিবোৰ সেই পিতৃৰ পৰাই তললৈ নামি আহে৷ ছাঁ
যি দৰে সলনি হয়, তেনেদৰে তেওঁৰ কোনো পৰিৱৰ্তন নহয়৷ ১৮
ঈশ্বৰে তেওঁৰ নিজ ইচ্ছাৰে সত্য বাক্যৰ দ্বাৰাই আমাক জীৱন দিলে
যাতে তেওঁৰ সৃষ্ট বস্তুবোৰৰ মাজত আমি যেন এবিধ প্ৰথম ফল হওঁ।
১৯ হে মোৰ প্ৰিয় ভাইসকল, আপোনালোকে এই কথা জানিব যে,
প্ৰত্যেক ব্যক্তি শুনিবলৈ প্ৰস্তুত থাকিব, ক'বলৈ ধীৰ আৰু ক্ৰোধলৈয়ো
ধীৰ হওক, ২০ কিয়নো মানুহৰ ক্ৰোধে ঈশ্বৰে বিচৰা ধাৰ্মিকতা সাধন
নকৰে। ২১ এতেকে আপোনালোকে সকলো অশুচিতা আৰু হিংসাৰ
অধিকতা দূৰ কৰি, যি ৰোৱা বাক্য আপোনালোকৰ আত্মাৰ পৰিত্ৰাণ
কৰিবৰ বাবে সমৰ্থ, তাক নম্ৰভাৱে গ্ৰহণ কৰক। ২২ কেৱল শুনোতা
হৈ নিজক নুভুলাব, কিন্তু বাক্য পালন কৰোঁতা হওক। ২৩ কিয়নো
কোনোৱে যদি বাক্য পালন কৰোঁতা নহয়, কেৱল মাথোন শুনোতা
হয়, তেনেহলে সেই লোক দৰ্পণত নিজৰ স্বাভাৱিক মুখ দেখা পোৱা
মানুহৰ নিচিনা হয়; ২৪ কাৰণ তেওঁ নিজকে চাই গুচি যায়, তাতে
তেওঁ কেনেকুৱা আছিল, সেই বিষয়ে তেতিয়াই পাহৰি যায়। ২৫ যি
কোনোৱে স্বাধীনতা স্বৰূপ সিদ্ধ বিধানৰ বাবে চাপৰি দৃষ্টি কৰি চাই
থাকে আৰু শুনি পাহৰি যোৱা নহয়, কিন্তু পালন কৰোঁতা হয়, তেওঁহে
নিজ কাৰ্যত ধন্য হ'ব। ২৬ কোনোৱে যদি নিজকে ধাৰ্মিক বুলি মানে,
কিন্তু নিজৰ জিভা দমন নকৰি নিজৰ হৃদয়ক ভুলায়, তেনেহলে সেই
মানুহৰ ধৰ্ম-কৰ্ম ব্যৰ্থ। ২৭ মাউৰা আৰু বিধৱা সকলক তেওঁলোকৰ
ক্লেশৰ কালত চাবলৈ যোৱা আৰু সংসাৰৰ পৰা নিজকে নিষ্কলঙ্কৰূপে
ৰাখা, এয়েই পিতৃ ঈশ্বৰৰ আগত শুদ্ধ আৰু নিৰ্মল ধৰ্ম-কৰ্ম।

২ হে মোৰ ভাইসকল, আমাৰ মহিমাময় প্ৰভু যীচু খ্ৰীষ্টৰ সম্বন্ধীয়
বিশ্বাস, পক্ষপাতেৰে ধাৰণ নকৰিব। ২ কিয়নো যদি আপোনালোকৰ
সভালৈ সোণৰ আঙঠি আৰু সুন্দৰ বস্ত্ৰ পিন্ধা কোনো এজন মানুহ
সোমাই আহে আৰু মলিয়ন বস্ত্ৰেৰে দৰিদ্ৰ এজনো আহে, ৩ তেতিয়া

আপোনালোকে সেই পৰিষ্কাৰ বস্ত্ৰ পিন্ধা জনক যদি মনোযোগেৰে
কয়, “আপুনি ইয়াতে স্বচ্ছন্দে বহক” আৰু সেই দৰিদ্ৰজনক যদি কয়,
“তই তাতে থিয় হৈ থাক” বা “মোৰ এই ভৰি-পীৰাৰ তলতে বহ”; ৪
তেনেহলে আপোনালোকে নিজৰ মাজতে প্ৰভেদ ৰাখি, কু-বিবেচনা
কৰা বিচাৰকৰ্তা সকলৰ দৰে পক্ষপাতী নহ’ল নে? ৫ হে মোৰ প্ৰিয়
ভাইসকল, শুনক, সংসাৰত যি সকল দৰিদ্ৰ, ঈশ্বৰে তেওঁলোকক
বিশ্বাসত ধনৱন্ত আৰু তেওঁক প্ৰেম কৰা সকলৰ আগত প্ৰতিজ্ঞা কৰা
ৰাজ্যৰ অধিকাৰী কৰিবলৈ আপোনালোকক মনোনীত কৰা নাই নে?
৬ কিন্তু আপোনালোকে সেই দৰিদ্ৰ সকলক কিয় সন্মান নকৰিলে!
ধনৱন্ত লোকে আপোনালোকক অত্যাচাৰ নকৰে নে? তেওঁলোকে
আপোনালোকক সোধ-বিচাৰৰ আসনৰ সন্মূখলৈ টানি নিনিয়ে নে? ৭
আৰু যি নামেৰে আপোনালোক নিমন্ত্ৰীত হৈছে, সেই উত্তম নামক
তেওঁলোকে নিন্দা নকৰে নে? ৮ যদিহে বিধান-শাস্ত্ৰত লিখাৰ দৰে,
“তোমাৰ চুবুৰীয়াক নিজৰ নিচিনাকৈ প্ৰেম কৰিবা”, এই ৰাজকীয়
বিধান যদি আপোনালোকে সিদ্ধ কৰে, তেনেহলে আপোনালোকে
ভাল কৰিছে; ৯ কিন্তু যদি পক্ষপাত কৰে, তেনেহলে পাপ কৰিছে,
আৰু আজ্ঞা-লঙ্ঘনকাৰী বুলি বিধানৰ দ্বাৰাই দোষী কৰা হৈছে। ১০
কিয়নো কোনোৱে যদি সকলো বিধান পালন কৰোঁতে, এটা বিধানো
যদি তেওঁৰ ত্ৰুটি হয়, তেনেহলে তেওঁ সকলো বিধান ভংগ কৰিলে
আৰু দোষী হ’ল৷ ১১ কিয়নো যিজন ঈশ্বৰ হয়, তেওঁ কৈছে, “তুমি
ব্যভিচাৰ নকৰিবা”, সেইজন ঈশ্বৰেই পুনৰ কৈছিল, “তুমি নৰ-বধ
নকৰিবা৷” এই হেতুকে আপোনালোকে ব্যভিচাৰ নকৰিও যদি নৰ-
বধ কৰে, তেনেহলেও ঈশ্বৰৰ বিধান লঙ্ঘনকাৰী হ’ল। ১২ যি সকল
লোকৰ সোধ-বিচাৰ হ’ব, সেয়া স্বাধীনতা স্বৰূপ বিধানৰ দ্বাৰাই হ’ব;
আপোনালোকে নিজকে সেই লোক সকলৰ নিচিনা কথা কৈ সেইবোৰ
পালন কৰক৷ ১৩ কিয়নো যিজনে দয়া নকৰে, সোধ-বিচাৰো তেওঁলৈ
নিৰ্দয়ী হয়৷ দয়াই বিচাৰত জয়ী হৈ শ্লাঘা কৰে! ১৪ হে মোৰ ভাইসকল,
কোনোবাই যদি কয় যে, তেওঁৰ বিশ্বাস আছে, কিন্তু যদি কৰ্ম নাথাকে
তেনেহলে কি লাভ? সেই বিশ্বাসে তেওঁক পৰিত্ৰাণ দিব পাৰিব নে?

১৫ কোনো ভাই বা ভনী উদঙে আৰু দৈনিক আহাৰৰ অভাৱত থাকিলে,
১৬ আপোনালোকৰ মাজৰ এজনে যদি সিহঁতক কয়, “তোমালোকে
কুশলে যোৱা আৰু উম লগাই তৃপ্ত হবা”; কিন্তু আপোনালোকে সিহঁতৰ
শৰীৰৰ প্ৰয়োজনীয় বস্তু যদি নিদিয়ে, তেনেহলে কি লাভ? ১৭ ঠিক
সেইদৰে বিশ্বাসৰ লগত যদি কৰ্ম নাথাকে, তেনেহলে সি অকলে মৰা।
১৮ তথাপি কোনোবাই ক'ব পাৰে, “তোমাৰ বিশ্বাস আছে আৰু মোৰ
সৎ কৰ্ম আছে।” বাৰু, তেনেহলে বিনাকৰ্মৰে আপোনাৰ বিশ্বাস মোক
দেখুৱাওঁক আৰু মই মোৰ কৰ্মৰ দ্বাৰাই আপোনাক মোৰ বিশ্বাস
দেখুৱাম। ১৯ ঈশ্বৰ এজন বুলি আপুনি বিশ্বাস কৰিছে, ভাল কৰিছে;
ভূতবোৰেও সেই কথাত বিশ্বাস কৰে আৰু ভয়ত চিঞৰে। ২০ কিন্তু,
হে নিৰ্বোধ মানুহ, কৰ্মহীন বনুৱাৰ বিশ্বাস যে ব্যৰ্থ, ইয়াক আপুনি
জানিবলৈ ইচ্ছা কৰে নে? ২১ আমাৰ পিতৃ অব্ৰাহামে যজ্ঞবেদিৰ
ওপৰত নিজ পুত্ৰ ইচহাকক উৎসৰ্গ কৰাৰ সময়ত, সেই কৰ্মৰ দ্বাৰাই
ধাৰ্মিক বুলি গণিত হোৱা নাছিল নে? ২২ এইদৰে চালে দেখিব
যে, বিশ্বাস তেওঁৰ কৰ্মৰ সহকাৰী আছিল আৰু সেই কৰ্মৰ দ্বাৰাই
বিশ্বাস সিদ্ধ হ'ল। ২৩ এই শাস্ত্ৰীয় বচন সিদ্ধ হ'ল, য'ত কোৱা আছে,
“অব্ৰাহামে ঈশ্বৰত বিশ্বাস কৰাত, সেই বিশ্বাস তেওঁলৈ ধাৰ্মিকতাৰ
অৰ্থে গণিত হ'ল” আৰু সেই বাবে তেওঁক ঈশ্বৰৰ মিতিৰ বোলা হ'ল।
২৪ আপোনালোকে দেখিছে যে কৰ্মৰ দ্বাৰাই মানুহ ধাৰ্মিক বুলি গণিত
হয়, কেৱল বিশ্বাসৰ দ্বাৰাই নহয়। ২৫ সেইদৰে ৰাহাব বেশ্যায়ো কৰ্মৰ
দ্বাৰাই ধাৰ্মিক বুলি গণিত নহ'ল নে; যেতিয়া তেওঁ দূত সকলক আলহী
কৰি ৰাখিছিল আৰু পাছত আন বাটেদি পঠিয়াই দিছিল? ২৬ কিয়নো
যেনেকৈ আত্মা-বিহীন শৰীৰ মৰা, তেনেকৈ কৰ্মবিহীন বিশ্বাসো মৰা।

৩ হে মোৰ ভাইসকল, আপোনালোকৰ মাজত অনেক লোকে শিক্ষক
হ'বলৈ চেষ্টা কৰাৰ প্ৰয়োজন নাই, কাৰণ আপোনালোকে জানে যে
আমাৰ দৃঢ়ৰূপে অধিক সোধ-বিচাৰ হ'ব। ২ কিয়নো আমি সকলোৱে
অনেক বিষয়ত ক্ৰুটি কৰোঁ। কোনো লোক এজনে যদি বাক্যত ক্ৰুটি
নকৰে, তেওঁহে সিদ্ধ লোক, আনকি নিজ শৰীৰকো সম্পূৰ্ণৰূপে দমন
কৰিবলৈ সেই জন সমৰ্থ। ৩ ঘোঁৰাবোৰ আমাৰ বশীভূত হ'বলৈ আমি

যেতিয়া সিহঁতৰ মুখত লেকাম বান্ধি দিওঁ, তেতিয়া আমি সিহঁতৰ
গোটেই শৰীৰটোকে ঘূৰাব পাৰোঁ। ৪ লক্ষ্য কৰিবা যে, কেনেকৈ অতি
ডাঙৰ জাহাজবোৰে প্ৰচণ্ড বায়ুৰ দ্বাৰাই চালিত হ'লেও, সেইবোৰক
অতি সৰু বৃত্তাকাৰ হালিৰেহে গুৰিয়ালৰ ইচ্ছা অনুসাৰে ঘূৰুউৱা যায়।
৫ সেইদৰে জিভাও অতি ক্ষুদ্ৰ অঙ্গ কিন্তু ই মহা-দৰ্পৰ কথা কয়। লক্ষ্য
কৰা, যে সৰু জুইৰ ফিৰিঙতি এটিয়ে কিমান ডাঙৰ হাবি পুৰি পেলায়!
৬ সেইদৰে জিভাও হৈছে এক অগ্নি স্বৰূপ, আমাৰ অঙ্গ-প্ৰত্যঙ্গবোৰৰ
মাজত জিভা অধৰ্মময় জগত স্বৰূপ; সেয়ে গোটেই শৰীৰক কলঙ্কিত
কৰি আমাৰ জীৱনৰ লগতে নিজেও নৰকৰ অগ্নিৰে প্ৰজ্বলিত হয়।
(Geenna g1067) ৭ কিয়নো পশু, পক্ষী, উৰগ আৰু জলজন্তু আদি কৰি
সকলোৰে স্বভাৱক মানুহৰ স্বভাৱৰ দ্বাৰাই বশ কৰিব পাৰে আৰু বশ
কৰি অহা হৈছে; ৮ কিন্তু জিভাক দমন কৰিবলৈ মানুহৰ মাজত কাৰো
সাধ্য নাই; ই অশান্ত দুষ্টতা স্বৰূপ, মৃত্যুজনক বিহেৰে পৰিপূৰ্ণ। ৯ তাৰ
দ্বাৰাই আমি আমাৰ পিতৃ প্ৰভুৰ প্ৰশংসা কৰোঁ; আৰু তাৰেই ঈশ্বৰৰ
সদৃশ্যেৰে হোৱা লোক সকলক অভিশাপ দিওঁ। ১০ একে মুখৰ পৰাই
আশীৰ্বাদ আৰু অভিশাপৰ কথা ওলায়। হে মোৰ ভাই সকল, এনে
হোৱা উচিত নহয়। ১১ একেটা ভুমুকৰ বিন্ধাইদি নিৰ্মল আৰু তিতা,
একেলগে দুবিধ পানী ওলাই নে? ১২ হে মোৰ ভাইসকল, ডিমৰু গছত
জলফাই নাইবা দ্ৰাক্ষালতাত ডিমৰু ফল ধৰিব পাৰে নে? তেনেদৰে
লুণীয়া পানীৰ ভুমুকেও সোৱাদ পানী উৎপন্ন কৰিব নোৱাৰে। ১৩
আপোনালোকৰ মাজত জ্ঞানী আৰু সুবুদ্ধি থকা লোক কোন? তেওঁ
সদাচৰণৰ দ্বাৰাই জ্ঞানমূলক মৃদুতাত নিজ কাৰ্য দেখুৱাওঁক। ১৪ কিন্তু
আপোনালোকৰ হৃদয়ত যদি তিক্ততাপূৰ্ণ ঈৰ্ষা আৰু বিৰোধ থাকে,
তেনেহলে সত্যৰ বিৰুদ্ধে শ্লাঘা নকৰিব আৰু মিছাকৈয়ো নক'ব। ১৫
এনে জ্ঞান ওপৰৰ পৰা নামি অহা নহয়, কিন্তু সেয়ে পাৰ্থিৱ, ইন্দ্ৰিয়াসক্ত
আৰু ভৌতিক। ১৬ কিয়নো যি ঠাইতে ঈৰ্ষা আৰু বিৰোধ থাকে, তাতেই
দ্বন্দ আৰু আটাই কুকৰ্ম থাকে। ১৭ কিন্তু ওপৰৰ পৰা অহা যি জ্ঞান,
সেয়ে প্ৰথমে শুদ্ধ, পাছত শান্তিযুক্ত, ক্ষান্ত স্বভাৱী, কোমল-স্বভাৱী,
দয়া আদি উত্তম ফলেৰে পৰিপূৰ্ণ, নিঃসংশয় আৰু নিৰ্মল। ১৮ যি সকল

লোক মিলনকাৰী, তেওঁলোকৰ দ্বাৰাই ৰোপন কৰা শান্তিত ধাৰ্মিকতাৰ
ফল পোৱা যায়।

**4** আপোনালোকৰ মাজত হাই-কাজিয়া আৰু বিৰোধ নো ক'ৰ পৰা
হয়? আপোনালোকৰ অঙ্গ-প্ৰত্যঙ্গত যুদ্ধ কৰা যি যি কু-অভিলাষ,
সেইবোৰৰ পৰা নহয় নে? ২ আপোনালোকৰ যি নাই, তাকে পাব
বিচাৰে কিন্তু নাপায়৷ তেতিয়া আপোনালোকে বধ কৰে আৰু হিংসা
কৰে, কিন্তু তেতিয়াও আপোনালোকৰ অভিলাষ পুৰণ নহয়; সেয়েহে
আপোনালোকে কাজিয়া কৰে, মাৰ-পিত কৰে৷ আপোনালোকে
যি বিচাৰে, সেয়া নাপায়, কাৰণ আপোনালোকে ঈশ্বৰৰ ওচৰত
নিবিচাৰে৷ ৩ আপোনালোকে বিচাৰে, আৰু বিচাৰিলেও নাপায়, কাৰণ
আপোনালোকে অসৎ উদ্দেশ্য ৰাখি বিচাৰে৷ আপোনালোকে কেৱল
নিজৰ ভোগ-বিলাস পূৰণ কৰিবৰ কাৰণে বস্তুবোৰ বিচাৰে৷ ৪ হে
ব্যভিচাৰী সকল, জগতৰ সৈতে ৰখা মিত্ৰতাই ঈশ্বৰৰ শত্ৰুতা, ইয়াক
আপোনালোকে নাজানে নে? এতেকে যি জনে জগতৰ প্ৰেমিক হবলৈ
ইচ্ছা কৰে, তেওঁ নিজকে নিজে ঈশ্বৰৰ শত্ৰু কৰি লয়। ৫ অথবা
ধৰ্মশাস্ত্ৰৰ বচনে অনৰ্থকৰূপে কয় বুলি আপোনালোকে ভাবিছে নে? যি
আত্মা তেওঁ আমাত নিবাস কৰাইছিল, সেই আত্মাই ঈৰ্ষালৈ অতিশয়
হাবিয়াহ কৰে নে? ৬ কিন্তু ঈশ্বৰে আমাক অতিকৈ অনুগ্ৰহ দান কৰে।
শাস্ত্ৰে এইদৰে কয়, "ঈশ্বৰ অহংকাৰী লোকৰ বিপক্ষ হয়, কিন্তু নম্ৰ
লোক সকলক তেওঁ অনুগ্ৰহ দান কৰে।" ৭ এতেকে আপোনালোক
ঈশ্বৰৰ বশীভুত হওক আৰু চয়তানক প্ৰতিৰোধ কৰক; তাতে সি
আপোনালোকৰ মাজৰ পৰা পলাই যাব। ৮ ঈশ্বৰৰ ওচৰলৈ চাপি
আহক; তাতে তেৰোঁ আপোনালোকৰ ওচৰলৈ চাপিব। হে পাপ কৰ্ম
কৰোঁতা সকল, আপোনালোকৰ হাত পৰিষ্কাৰ কৰক আৰু হে দুই মনৰ
মানুহ, আপোনালোকৰ হৃদয় শুচি কৰক। ৯ বিলাপ, শোক আৰু ক্ৰন্দন
কৰক; আপোনালোকৰ হাঁহি শোক হৈ যাওঁক, আৰু আপোনালোকৰ
আনন্দ বিষাদ হৈ যাওঁক। ১০ প্ৰভুৰ দৃষ্টিত আপোনালোকে নিজকে নত
কৰক, তাতে তেওঁ আপোনালোকক উন্নত কৰিব। ১১ হে ভাইসকল,
আপোনালোকে ইজনে সিজনৰ বিৰুদ্ধে কথা নক'ব; যি জনে ভাইৰ

বিৰুদ্ধে কথা কয় আৰু ভাইৰ সোধ-বিচাৰ কৰে, সেই জনে বিধানৰ
বিৰুদ্ধে কথা কয় আৰু ঈশ্বৰৰ বিধানৰ সোধ-বিচাৰ কৰে, তেনেস্থলত
সেই জন বিধান পালনকাৰী নহয় কিন্তু বিধানৰ বিচাৰকৰ্তাহে হয়। ১২
বিধান দিওঁতা আৰু বিচাৰকৰ্তা এজন মাথোন আছে, তেৱেঁই হৈছে
ঈশ্বৰ৷ তেওঁ পৰিত্ৰাণ কৰিবলৈ আৰু বিনষ্ট কৰিবলৈকো সমৰ্থ৷ কিন্তু
চুবুৰীয়াৰ সোধ-বিচাৰ কৰা যি তুমি, তুমি নো কোন? ১৩ শুনক,
আপোনালোকে কয় যে, আজি বা কাইলৈ আমি অমুক নগৰলৈ গৈ,
তাতে এবছৰ থাকি বেহা-বেপাৰ কৰি লাভ কৰিম; ১৪ কিন্তু কালিলৈ
কি ঘটিব, সেই বিষয়ে আপোনালোকে নাজানে আৰু আপোনালোকৰ
জীৱন নো কি? কিয়নো এখন্তেক দেখা পোৱা হৈ পাছত দেখা নোপোৱা
যি ভাপ, আপোনালোক সেই ভাপ স্বৰূপ৷ ১৫ তাৰ সলনি বৰং এইদৰে
আপোনালোকে কোৱা উচিত যে, "যদি প্ৰভুৱে ইচ্ছা কৰে, আমি জীয়াই
থাকিম, আৰু এই কৰ্ম বা সেই কৰ্ম কৰিব পাৰিম।" ১৬ কিন্তু এতিয়া
আপোনালোকে নিজৰ নিজৰ পৰিকল্পনাত অহংকাৰ কৰি আছে; এনে
অহংকাৰ অতি মন্দ। ১৭ এতেকে যিজনে সৎ কৰ্ম কৰিবলৈ জানিও,
উচিত ভাবে নকৰে, সেই জনে পাপ কৰে।

৫ এতেকে চাওক, হে ধনৱন্ত লোক, আপোনালোকৰ বাবে যি যি
দূৰ্দশা আহিব ধৰিছে, তাৰ কাৰণে হাহাকাৰ কৰি ক্ৰন্দন কৰক। ২
আপোনালোকৰ ধন-সম্পত্তি গেলি পচি যাব ধৰিছে; আপোনালোকৰ
কাপোৰবোৰ পোকে খোৱা হ'ল। ৩ আপোনালোকৰ সোণ-ৰূপ
ক্ষয়ণীয় হ'ল আৰু সেই ক্ষয়ণীয়তাবোৰে আপোনালোকৰ বিপক্ষে
সাক্ষ্য দিব আৰু সেইবোৰে জুইৰ নিচিনা হৈ আপোনালোকৰ মঙহ
খাব। আপোনালোকে শেষ কালততহে ধন-সম্পত্তি সাঁচিলে। ৪
চাওক, আপোনালোকৰ পথাৰৰ শস্য দোৱা বনুৱাবোৰৰ যি বেচ
আপোনালোকে প্ৰৱঞ্চনা কৰি ৰাখি নিদিলে, সেই বেচেই আটাহ
পাৰিছে; আৰু সেই দাওনী সকলৰ আৰ্ত্তস্বৰ বাহিনীগণৰ প্ৰভুৰ
কাণত পৰিছে। ৫ আপোনালোকে পৃথিৱীত সুখভোগ আৰু ইন্দ্ৰিয়-
সুখাভিলাষেৰে জীয়াই থাকিলে; হত্যাৰ দিনটো আপোনালোকে নিজ
নিজ হৃদয় তৃপ্ত কৰিলে। ৬ যিজনে আপোনালোকক প্ৰতিৰোধ

নকৰে, সেই ধাৰ্মিক লোকজনক আপোনালোকে দোষী কৰি বধ
কৰিলে। ৭ এতেকে, হে ভাইসকল, প্ৰভুৰ আগমণলৈ ধৈৰ্য ধৰি থাকক।
চাওক, খেতিয়কে খেতিৰ বহুমূল্য শস্য পৃথিৱীৰ পৰা পাবৰ বাবে
বাট চাই থাকে আৰু যেতিয়ালৈকে প্ৰথম আৰু পাছৰ বৰষুণ নাপাই,
তেতিয়ালৈকে ধৈৰ্য ধৰি থাকে। ৮ তেনেদৰে আপোনালোকেও ধৈৰ্য
ধৰক, নিজ নিজ হৃদয় থিৰে ৰাখক; কাৰণ প্ৰভুৰ আগমণ ওচৰ
পালেহি। ৯ হে ভাইসকল, আপোনালোকৰ যাতে সোধ-বিচাৰ নহ'ব,
তাৰ কাৰণে ইজনে সিজনৰ বিৰুদ্ধে অভিযোগ নকৰিব। চাওক,
বিচাৰকৰ্তা দুৱাৰ-মুখতে থিয় হৈ আছে। ১০ হে ভাইসকল, যি ভাববাদী
সকলে প্ৰভুৰ নামেৰে কথা কৈ গ'ল, তেখেত সকলক 'ক্লেশ সহন
আৰু চিৰসহিষ্ণুতাৰ অৰ্থে' আৰ্হি বুলি মানিব। ১১ চাওক, যি সকলে
সহন কৰে, তেওঁলোকক আমি ধন্য বুলি কওঁ। ইয়োবৰ সহনৰ বিষয়ে
আপোনালোকে শুনিছে আৰু প্ৰভুৰ কাৰ্যৰো শেষ দেখিলে যে, প্ৰভু
অতি স্নেহৱান আৰু দয়ালু। ১২ কিন্তু, হে মোৰ ভাইসকল, বিশেষকৈ
আপোনালোকে স্বৰ্গৰ, নাইবা পৃথিৱীৰ বা আন কোনো নামৰ শপতেৰে
শপত নাখাব; কিন্তু আপোনালোকে যেন সোধ-বিচাৰত নপৰে এই
কাৰণে আপোনালোকৰ 'হয়' যেন 'হয়' হওক আৰু 'নহয়' যেন 'নহয়'
হওক। ১৩ আপোনালোকৰ মাজত কোনোবাই ক্লেশ ভোগ কৰি আছে
নে? তেওঁ প্ৰাৰ্থনাত বাধ্য হওক। কোনোবা হৰ্ষিত হৈছে নে? তেওঁ
প্ৰশংসাৰ গীত গান কৰক। ১৪ কোনোবা নৰিয়াত পৰি আছে নে?
তেওঁ মণ্ডলীৰ পৰিচাৰক সকলক মাতক; পাছত তেওঁলোকে প্ৰভুৰ
নামেৰে তেওঁৰ গাত তেল সানি তেওঁৰ কাৰণে প্ৰাৰ্থনা কৰক; ১৫
তাতে বিশ্বাসমূলক প্ৰাৰ্থনাই সেই নৰিয়া জনক সুস্থ কৰিব আৰু প্ৰভুৱে
তেওঁক তুলিব; আৰু যদিও তেওঁ পাপ কৰিলে, তথাপি ক্ষমা কৰা যাব।
১৬ এতেকে আপোনালোক সুস্থ হ'বৰ বাবে ইজনে সিজনৰ আগত
নিজ নিজ পাপ স্বীকাৰ কৰিব আৰু ইজনে সিজনৰ কাৰণে প্ৰাৰ্থনা
কৰিব। ধাৰ্মিক জনৰ নিবেদন কাৰ্য সাধন কৰাত মহা-শক্তি বিশিষ্ট।
১৭ এলিয়া, আমাৰ নিচিনা অনুভূতিশীল লোক হৈয়ো, তেওঁ বৰষুণ
নহ'বলৈ দৃঢ় প্ৰাৰ্থনা কৰিলে; তাতে তিনি বছৰ ছয় মাহলৈকে দেশত

বৰষুণ নহ'ল। ১৮ পাছত আকৌ প্ৰাৰ্থনা কৰাত, আকাশৰ পৰা বৰষুণ
হ'ল আৰু পৃথিৱীয়ে নিজ ফল উৎপন্ন কৰিলে। ১৯ হে মোৰ ভাইসকল,
আপোনালোকৰ মাজৰ কোনো এজন যদি সত্যৰ পৰা ভ্ৰান্ত হয় আৰু
তেওঁক যদি কোনোবাই ঘূৰাই আনে, ২০ তেনেহলে তেওঁ ইয়াকে
জানক যে, যিজনে কোনো এজন পাপীক ভ্ৰষ্ট পথৰ পৰা ঘূৰাই আনে,
তেওঁ সেই জনৰ প্ৰাণক মৃত্যুৰ পৰা ৰক্ষা কৰিব আৰু তেওঁৰ পাপ সমূহ
ঢাকা হ'ব৷

# ১ পিতৰ

১ মই পিতৰ, যীচু খ্ৰীষ্টৰ মনোনীত পাঁচনি, যি সকল প্ৰবাসী লোক
পন্ত, গালাতীয়া, কোপ্পাদকিয়া, এচিয়া আৰু বিথুনিয়া দেশত গোট গোট
হৈ আছে, তেখেত সকলৰ সমীপলৈ৷ ২ এতিয়া পিতৃ ঈশ্বৰৰ পূৰ্বজ্ঞান
অনুসাৰে যীচু খ্ৰীষ্টৰ আজ্ঞাধীন হ'বলৈ পবিত্ৰ আত্মাৰ দ্বাৰাই শুচি কৰা
হ'ল আৰু তেওঁৰ তেজ ছটিয়াই দিয়া হ'ল৷ আপোনালোকলৈ অনুগ্ৰহ
হওক আৰু আপোনালোকৰ শান্তি বৃদ্ধি হওক৷ ৩ ঈশ্বৰ আৰু আমাৰ
প্ৰভু যীচু খ্ৰীষ্টৰ পিতৃ ধন্য; তেওঁৰ প্ৰচুৰ দয়া অনুসাৰে মৃত লোকৰ
মাজৰ পৰা যীচু খ্ৰীষ্টৰ পুনৰুত্থানৰ দ্বাৰাই জীৱনময় আশাৰ কাৰণে
আৰু অক্ষয়, নিৰ্ম্মল আৰু অজৰ উত্তৰাধিকাৰৰ কাৰণে আমাক নতুন
জন্ম দিলে; ৪ সেই উত্তৰাধিকাৰ স্বৰ্গত আপোনালোকৰ কাৰণে সঞ্চিত
আছে; ই চিৰস্থায়ী, কলঙ্কিত নহয়; শুদ্ধ৷ ৫ শেষৰ কালত প্ৰকাশিত
হ'বলৈ যুগুত হোৱা পৰিত্ৰাণৰ কাৰণে, ঈশ্বৰৰ শক্তিত আপোনালোকো
বিশ্বাসৰ দ্বাৰাই ৰক্ষিত হৈ আছে। ৬ যদিও এতিয়া বিভিন্ন দুখ-কষ্টই
আপোনালোকক শোকৰ অনুভৱ আনি দিছে, তথাপি এই কথা ভাবি
আপোনালোকে আনন্দ কৰক৷ ৭ আপোনালোকৰ এই বিশ্বাস
পৰীক্ষাসিদ্ধ হ'ব লাগে, কিয়নো আপোনালোকৰ বিশ্বাস সোণতকৈও
মূল্যবান। বিশ্বাসৰ পৰীক্ষাত যদি আপোনালোকৰ বিশ্বাস অটল দেখা
যায়, তেনেহলে যীচু খ্ৰীষ্টৰ পুনৰাগমনৰ সময়ত আপোনালোকে
কিমান গৌৰৱ, প্ৰশংসা, মৰ্যদা পাব৷ ৮ তেওঁক আপোনালোকে
দেখা নাই, কিন্তু আপোনালোকে তেওঁক প্ৰেম কৰিছে; এতিয়াও
আপোনালোকে তেওঁক দেখা নাই কিন্তু আপোনালোকে তেওঁক বিশ্বাস
কৰি আছে আৰু আপোনালোক অনিৰ্বচনীয় উল্লাসত মহা আনন্দিত
হৈ গৌৰৱময় হৈছে৷ ৯ এতিয়া আপোনালোকৰ নিজৰ বিশ্বাসৰ ফল
আপোনালোকে গ্ৰহণ কৰিছে, সেয়া আপোনালোকৰ আত্মাৰ পৰিত্ৰাণ৷
১০ যি ভাববাদী সকলে আপোনালোকৰ কাৰণে নিৰূপিত অনুগ্ৰহৰ
বিষয়ে ভাববাণী কৰিছিল, তেখেত সকলে সেই পৰিত্ৰাণৰ বিষয়ে
যত্নেৰে বিচাৰ আৰু অনুসন্ধান কৰিছিল৷ ১১ কেনেকুৱা ধৰণৰ পৰিত্ৰাণ
আহিবলগীয়া আছিল, সেই বিষয়ে তেখেত সকলে অনুসন্ধান কৰি

জানিব বিচাৰিছিল৷ এই বিষয়ে খ্ৰীষ্টৰ আত্মাই কোৱা সেই কাল বা
সময়ৰ কথাও অনুসন্ধান কৰি জানিবলৈ বিচাৰিছিল৷ খ্ৰীষ্টৰ প্ৰতি
ঘটিবলগীয়া দুখভোগ আৰু পাছত তেওঁলৈ আহিবলগীয়া মহিমাবোৰৰ
বিষয়ে সেই আত্মাই তেখেত সকলক আগতীয়াকৈ কৈছিল৷ ১২
এই ভাববাদী সকললৈ প্ৰকাশিত হ’ল যে, তেখেত সকলে নিজৰ
কাৰণে নহয়, কিন্তু আপোনালোকৰ কাৰণে সেই সকলো বিষয়ৰ
পৰিচৰ্যা কৰিছিল; সেই সকলো সম্বাদ, স্বৰ্গৰ পৰা পঠোৱা পবিত্ৰ
আত্মাৰে যি সকলে আপোনালোকৰ আগত শুভবাৰ্তা প্ৰচাৰ কৰিছিল,
তেওঁলোকৰ দ্বাৰাই সম্প্ৰতি আপোনালোকক দিয়া হ’ল; এই বিষয়বোৰ
স্বৰ্গৰ দূত সকলেও প্ৰকাশ হোৱাটো ইচ্ছা কৰে৷ ১৩ এতেকে মনৰ
কঁকাল বান্ধক৷ আপোনাৰ চিন্তা শান্ত হওক৷ যীচু খ্ৰীষ্ট প্ৰকাশিত
হোৱা কালত আপোনালোকলৈ যি অনুগ্ৰহ দিয়া হ’ব, সেই অনুগ্ৰহত
সম্পূৰ্ণৰূপে ভাৰসা ৰাখক৷ ১৪ আজ্ঞাধীন হোৱা সন্তান সকলৰ যেনে
উপযুক্ত, তেনেকৈ আপোনালোক পুৰ্ব্বৰ অজ্ঞান অৱস্থাৰ অভিলাষৰ
অনুৰূপ নহব৷ ১৫ আপোনালোকক আমন্ত্ৰণ কৰা জন যেনে পবিত্ৰ,
আপোনালোকো সকলো আচাৰ-ব্যৱহাৰত তেনে পবিত্ৰ হওক৷ ১৬
কিয়নো লিখা আছে, ‘তোমালোক পবিত্ৰ হোৱা, কাৰণ মই পবিত্ৰ।’ ১৭
আৰু যি জনে পক্ষপাত নকৰাকৈ প্ৰত্যেক জনৰ কৰ্ম অনুসাৰে সোধ-
বিচাৰ কৰে, তেওঁক যদি পিতৃ বুলি মাতিছে, তেনেহলে আপোনালোকৰ
জীৱন-যাপনৰ কাল ভক্তিৰে নিয়াব৷ ১৮ আপোনালোকে জানে যে,
আপোনালোকৰ পূৰ্বপুৰুষৰ পৰা চলি অহা অসাৰ আচাৰ-ব্যৱহাৰৰ
পৰা, আপোনালোক সোণ, ৰূপ আদিৰ ক্ষয়ণীয় বস্তুৰ দ্বাৰাই যে মুক্ত
হ’ল, এনে নহয়, ১৯ কিন্তু নিৰ্দোষী আৰু নিষ্কলঙ্ক মেৰ-পোৱালি স্বৰূপ
খ্ৰীষ্টৰ বহুমূল্য তেজৰ দ্বাৰাইহে মুক্ত হ’ল৷ ২০ জগত স্থাপনৰ পুৰ্ব্বৰে
পৰা তেওঁ মনোনীত আছিল, কিন্তু কালৰ শেষত, তেওঁ আপোনালোকৰ
কাৰণে প্ৰকাশিত হ’ল; ২১ তেওঁৰ দ্বাৰাই আপোনালোক, মৃত লোকৰ
মাজৰ পৰা তেওঁক তোলোঁতা আৰু গৌৰৱ দিওঁতা ঈশ্বৰৰ বিশ্বাসকাৰী
লোক হ’ল; তাতে আপোনালোকৰ বিশ্বাস আৰু দৃঢ় আস্থা ঈশ্বৰত
আছে। ২২ আপোনালোকে সত্যৰ আজ্ঞাধীনতাৰ দ্বাৰা অকপট

ভাতৃপ্ৰেমৰ অৰ্থে নিজৰ আত্মা শুচি কৰিবলৈ, পৰস্পৰক হৃদয়েৰে
আন্তৰিক প্ৰেম কৰক। ২৩ কিয়নো আপোনালোক ক্ষয়ণীয় বীজৰ পৰা
নহয়, অক্ষয় বীজৰ পৰা, ঈশ্বৰৰ জীৱনময় আৰু চিৰকাল স্থায়ী যি
বাক্য, সেই বাক্যৰ দ্বাৰাই নতুন জন্ম পোৱা হৈছে। **(aiōn g165)** ২৪
কাৰণ মৰ্ত্ত্যমাত্ৰেই তৃণ সদৃশ আৰু তাৰ সকলো গৌৰৱ তৃণৰ ফুল
সদৃশ। তৃণ শুকাই আৰু ফুলো সৰে; ২৫ কিন্তু প্ৰভুৰ বাক্য চিৰকাল
থাকে; যি বাক্য আপোনালোকৰ আগত প্ৰচাৰ কৰা হ'ল, এয়ে সেই
শুভবাৰ্তাৰ বাক্য। **(aiōn g165)**

**২** এতেকে সকলো মন্দ, প্ৰৱঞ্চনা, কপটতা, হিংসা আৰু পৰচৰ্চা, দূৰ
কৰক৷ ২ নতুনকৈ জন্ম হোৱা শিশু সকলৰ দৰে, মিহলি নোহোৱা শুদ্ধ
আত্মিক গাখীৰলৈ অতিশয় হাবিয়াহ কৰক, আৰু তাৰ দ্বাৰাই পৰিত্ৰাণৰ
অৰ্থে আপোনালোকে বৃদ্ধি হওক, ৩ যদিহে আপোনালোকে প্ৰভু
স্নেহশীল বুলি আস্বাদ পালে৷ ৪ তেওঁৰ ওচৰলৈ আহক, যি জন জীৱনময়
শিল মানুহৰ দ্বাৰাই অগ্ৰাহ্য হ'ল, কিন্তু তেওঁ ঈশ্বৰৰ দ্বাৰাই মনোনীত
আৰু বহুমূলীয়া৷ ৫ আপোনালোকে নিজেও জীৱন্ত শিলৰ দৰে গঁথা হৈ,
যীচু খ্ৰীষ্টৰ দ্বাৰাই ঈশ্বৰৰ পৰমগ্ৰাহ্য আত্মিক যজ্ঞ উৎসৰ্গ কৰিবলৈ,
পবিত্ৰ পুৰোহিত সমূহ হ'বৰ অৰ্থে এক আত্মিক ঘৰ হৈ উঠিছে। ৬
কিয়নো ধৰ্মশাস্ত্ৰত এইদৰে লিখা আছে, চোৱা, মই চিয়োনত মনোনীত
আৰু বহুমূল্য চুকৰ এক প্ৰধান শিল স্থাপন কৰোঁ; যি জনে তেওঁত বিশ্বাস
কৰে, তেওঁ কোনোমতে লাজত নপৰিব। ৭ এতেকে বিশ্বাস কৰা যি
আপোনালোক, আপোনালোকৰ কাৰণেই সেই শিল বহুমূল্যৰ; কিন্তু,
অবিশ্বাস কৰা সকলৰ কাৰণে, ঘৰ-সজীয়া সকলে যি শিল অগ্ৰাহ্য
কৰিলে, সেয়ে চুকৰ প্ৰধান শিল হ'ল, ৮ আৰু, "উজুটি খুউৱা শিল, আৰু
বিঘ্নজনক শিল হ'ল।" তেওঁলোক বিঘ্নজনক, তেওঁলোকে বাক্য অমান্য
কৰাত উজুটি খায়, তাৰ কাৰণে তেওঁলোক নিযুক্তও হৈছিল। ৯ কিন্তু
আপোনালোক মনোনীত বংশ, ৰাজকীয় পুৰোহিত সমূহ, পবিত্ৰ জাতি,
আৰু ঈশ্বৰৰ নিজ অধিকাৰৰ অৰ্থে এক বিশেষ লোক হৈছে যাতে,
যি জনে আপোনালোকক আন্ধাৰৰ পৰা তেওঁৰ আচৰিত পোহৰলৈ
আমন্ত্ৰণ কৰিলে, আপোনালোকে যেন তেওঁৰ সদগুণ প্ৰকাশ কৰে৷

এই কাৰণে ১০ আগেয়ে আপোনালোক প্ৰজা নাছিল, কিন্তু এতিয়া
ঈশ্বৰৰ প্ৰজা হ'ল; দয়াৰ পাত্ৰ নাছিল, কিন্তু এতিয়া দয়াৰ পাত্ৰ হ'ল।
১১ হে প্ৰিয় সকল, আপোনালোক বিদেশী আৰু প্ৰবাসী; সেয়েহে মই
আপোনালোকক মিনতি কৰোঁ যে আত্মাৰ বিৰুদ্ধে যুদ্ধ কৰা মাংসিক
অভিলাষৰ পৰা পৃথকে থাকক৷ ১২ আপোনালোকক অনা-ইহুদী
সকলে যি বিষয়ত দুষ্কৰ্ম্মকাৰী বুলি বিৰোধী কথা কয়, সেই বিষয়ত
তেওঁলোকে আপোনালোকৰ সৎকৰ্ম দেখি কৃপাদৃষ্টিৰ দিনা যেন ঈশ্বৰৰ
স্তুতি কৰে, তাৰ কাৰণে তেওঁলোকৰ মাজত আপোনালোকৰ আচাৰ-
ব্যৱহাৰ উত্তম হওক। ১৩ আপোনালোকে প্ৰভুৰ কাৰণে মনুষ্যৰ দ্বাৰাই
স্থাপিত সকলো ৰীতিৰ বশীভূত হওক; যেনেদৰে ৰজা সকলোৰে
ওপৰ, ১৪ আৰু দেশাধিপতি সকলক, দুষ্কৰ্ম্মকাৰী সকলৰ প্ৰতিকাৰৰ
অৰ্থে আৰু সৎকৰ্মকাৰী সকলৰ প্ৰশংসাৰ অৰ্থে তেওঁৰ দ্বাৰাই পঠোৱা
হৈছে বুলি, তেওঁলোকৰ বশীভূত হওক। ১৫ আপোনালোকে সৎ কৰ্ম
কৰি কৰি যেন নিৰ্ব্বোধ লোক সকলৰ অজ্ঞানতাক নিৰুত্তৰ কৰে,
ঈশ্বৰৰ এই ইচ্ছা৷ ১৬ আপোনালোকে স্বাধীন লোকৰ দৰে হয়; কিন্তু
সেই স্বাধীনতাক দুষ্টতাৰ ঢাকনি নকৰিব, বৰং ঈশ্বৰৰ দাস সকলৰ
দৰে জীৱন-যাপন কৰক। ১৭ সকলোকে সমাদৰ কৰক৷ ভাইমাত্ৰকে
প্ৰেম কৰক৷ ঈশ্বৰলৈ ভয় ৰাখক৷ ৰজাক সমাদৰ কৰক। ১৮ হে দাস
সকল, তোমালোক সম্পূৰ্ণ ভয়েৰে নিজ নিজ প্ৰভুৰ বশীভূত হোৱা;
কেৱল উত্তম আৰু ক্ষান্ত স্বভাৱী সকলৰ নহয়, কিন্তু কুটিল-মনৰ লোক
সকলৰো বশীভূত হোৱা। ১৯ কিয়নো কোনোৱে যদি ঈশ্বৰৰ উদ্দেশ্যে
বিবেকৰ কাৰণে অন্যায় ভোগ কৰি দুখ সহন কৰে, তেনেহলে সেয়েই
প্ৰশংসনীয়। ২০ কাৰণ পাপ কৰি ভুকু খাই যদি সহন কৰা, তেনেহলে
তাত কি প্ৰশংসা আছে? কিন্তু সৎ কৰ্ম কৰি দুখভোগ কৰি যদি সহন
কৰা, তেনেহলে সেয়েহে ঈশ্বৰৰ আগত গ্ৰহণীয়। ২১ কাৰণ তাৰ
বাবেই তোমালোক আমন্ত্রিত হ'লা; কিয়নো তোমালোক যেন খ্ৰীষ্টৰ
খোজৰ অনুগামী হোৱা, এই কাৰণে তেওঁ তোমালোকৰ অৰ্থে দুখভোগ
কৰি, তোমালোকৰ কাৰণে এটি আৰ্হি থৈ গ'ল। ২২ তেওঁ কোনো
পাপ নকৰিলে; তেওঁৰ মুখত কোনো ছলনা পোৱা নগ'ল; ২৩ তেওঁ

নিন্দিত হলেও কাকো নিন্দা নকৰিলে; দুখ পোৱা কালত, ডাবি-
ধমকি নিদিলে, কিন্তু ন্যায়ৰূপে বিচাৰ কৰোঁতা জনৰ ওপৰত ভাৰ
দিলে৷ ২৪ তাতে আমি যেন পাপৰ সম্বন্ধে মৰি, ধাৰ্মিকতাৰ সম্বন্ধে
জীয়াই থাকো, আৰু এই কাৰণে তেওঁ নিজ শৰীৰত আমাৰ ভাৰ বৈ
কাঠৰ ওপৰলৈ নিলে৷ তেওঁৰ সাঁচৰ দ্বাৰাই আপোনালোক সুস্থ হ'ল৷
২৫ আপোনালোকে সকলোৱে ভ্ৰান্ত মেৰৰ নিচিনাকৈ ভ্ৰমি ফুৰিছিল;
কিন্তু এতিয়া আপোনালোকৰ আত্মাৰ ৰক্ষক আৰু অধ্যক্ষৰ ওচৰলৈ
আপোনালোক উভতি আহিছে৷

৩ সেইদৰে হে ভাৰ্যা সকল, আপোনালোক নিজ নিজ স্বামীৰ বশীভূত
হওক; গতিকে, তেখেত সকলৰ কোনো কোনোৱে যদিও ঈশ্বৰৰ
বাক্য অমান্য কৰে, তথাপি নিজ নিজ ভাৰ্য্যাৰ আচাৰ-ব্যৱহাৰৰ
দ্বাৰাই, ২ আপোনালোকৰ ভয়যুক্ত নিৰ্মল আচাৰ-ব্যৱহাৰ দেখি,
তাৰ দ্বাৰাই বিনাবাক্যেৰে যেন তেওঁলোকক পোৱা যায়, সেই বাবে
বশীভূত হওক। ৩ কেশ-বেশ আৰু সোণৰ অলঙ্কাৰ পিন্ধা বা নানা
বস্ত্ৰ পৰিধান; এনে বাহ্যিক ভূষণ আপোনালোকৰ নহওক। ৪ কিন্তু
আপোনালোকৰ হৃদয়ত নিৰ্দোষীৰূপে চিৰস্থায়ী হৈ থকা শান্ত আৰু
নম্ৰ আত্মা আপোনালোকৰ ভূষণ হোৱা উচিত, এয়াই ঈশ্বৰৰ দৃষ্টিত
মহা মূল্যৱান৷ ৫ কিয়নো আগৰ কালত যি পবিত্ৰ তিৰোতা সকলে
ঈশ্বৰত ভাৰসা ৰাখিছিল, তেখেত সকলেও নিজ নিজ স্বামীৰ বশীভূত
হৈ, সেইদৰে নিজক বিভূষিত কৰিলে; ৬ সেইদৰে চাৰাই অব্ৰাহামৰ
আজ্ঞা মানিলে। এতিয়া আপোনালোকেও যদি উচিত কৰ্ম কৰে
আৰু আপোনালোকৰ কোনো সমস্যাৰ বাবে যদি ভয় নাথাকে,
তেনেহলে আপোনালোক তেওঁৰ জীয়ৰী৷ ৭ সেইদৰে হে স্বামী সকল,
আপোনালোকতকৈ স্ত্ৰী সকল মাটিৰ পাত্ৰৰদৰে কোমল, জীৱনৰূপ
অনুগ্ৰহৰ সহকাৰিণী বুলি জানি, আপোনালোকৰ প্ৰাৰ্থনাত যেন বাধা
নজন্মে, এই কাৰণে তেখেত সকলৰ সৈতে জ্ঞানমতে সহবাস কৰি
তেখেত সকলক সমাদৰ কৰক। ৮ অৱশেষত কওঁ, আপোনালোক
সকলোৱে একে মনৰ, আনৰ দুখত দূঃখী, স্নেহশীল, প্ৰেম কৰোঁতা
আৰু নম্ৰ হওক৷ ৯ অপকাৰৰ সলনি অপকাৰ, আৰু তিৰস্কাৰৰ সলনি

তিৰস্কাৰ নকৰক, বিৰোধিতাত পুনৰায় আশীৰ্বাদ কৰক, কিয়নো ইয়াৰ
বাবে আপোনালোক আমন্ত্ৰিত, আপোনালোক ক্ষমতাপূৰ্ণ আশীৰ্বাদৰ
উত্তৰাধিকাৰ পোৱা লোক৷ কিয়নো আশীৰ্বাদৰ অধিকাৰী হ'বৰ কাৰণে
আপোনালোক আমন্ত্ৰিত হ'ল। ১০ "কাৰণ, যি জনে জীৱনক প্ৰেম
কৰিবলৈ, আৰু মঙ্গলৰ দিন চাবলৈ ইচ্ছা কৰে, তেখেতে কু-কথাৰ
পৰা নিজৰ জিভা, আৰু ছলনা-বাক্যৰ পৰা নিজৰ ওঁঠ ৰাখক; ১১
কু-পথৰ পৰা ঘূৰক আৰু ভাল কৰ্ম কৰক৷ শান্তি বিচাৰক আৰু তাতে
লাগি থাকক৷ ১২ প্ৰভুৰ চকুৱে ধাৰ্মিক সকলক দৃষ্টি কৰে, আৰু তেওঁৰ
কাণে তেখেত সকলৰ প্ৰাৰ্থনা শুনে৷ কিন্তু যি সকল কু-কৰ্মী, তেখেত
সকললৈ প্ৰভুৰ মুখ বিৰোধী৷" ১৩ যি ভাল, তালৈ যদি আপোনালোকে
ইচ্ছা কৰে, তেনেহলে আপোনালোকক কোনে ক্ষতি কৰিব? ১৪
কিন্তু ধাৰ্মিকতাৰ কাৰণে যদিও দুখভোগ কৰিব লগা হয়, তথাপি
আপোনালোক ধন্য; কিন্তু তেওঁলোকৰ ভয়ত ভয়াতুৰ নহ'ব আৰু
ব্যাকুল নহ'ব৷ ১৫ ইয়াৰ পৰিৱৰ্তে খ্ৰীষ্টক প্ৰভু হিচাপে আপোনালোকৰ
হৃদয়ত পবিত্ৰ ৰূপে মানিব; যি কোনোৱে আপোনালোকৰ অন্তৰত
থকা আশাৰ বিষয়ে বিচাৰ লয়, তেওঁক আপোনালোকে নিজৰ পক্ষে
উত্তৰ দিবলৈ সক্ষম থাকিব, কিন্তু নম্ৰতা আৰু সন্মানেৰে সৈতে এইবোৰ
কৰিব৷ ১৬ যি সকলে খ্ৰীষ্টত থাকি কৰা আপোনালোকৰ সদাচৰণৰ
নিন্দা কৰে, আপোনালোক যি বিষয়ত নিন্দিত হয়, সেই বিষয়ত
তেওঁলোক যেন লাজত পৰিব, এই কাৰণে আপোনালোকে উত্তম
বিবেক ৰাখিব। ১৭ কিয়নো কুকৰ্ম কৰি দুখভোগ কৰাতকৈ, ঈশ্বৰৰ
যদি এনে ইচ্ছা হয়, তেনেহলে সৎ কৰ্ম কৰি দুখভোগ কৰা বেছি
ভাল৷ ১৮ খ্ৰীষ্টয়ো সেই পাপৰ সম্বন্ধে এবাৰ দুখ-ভোগ কৰিলে৷ আমাক
ঈশ্বৰৰ ওচৰলৈ নিবলৈ, অধাৰ্মিক সকলৰ কাৰণে ধাৰ্মিক জনে, অৰ্থাৎ
খ্ৰীষ্টে পাপবোৰৰ কাৰণে কেৱল এবাৰ দুখভোগ কৰিলে; তেওঁ মাংসত
হত হ'ল, কিন্তু আত্মাত হ'লে পুনৰ্জীৱিত হ'ল; ১৯ সেই আত্মাৰে তেওঁ
গ'ল আৰু এতিয়া কাৰাগাৰত থকা আত্মাবোৰৰ ওচৰত গৈ প্ৰচাৰ
কৰিলে৷ ২০ সেইবোৰ নোহৰ সময়ত ঈশ্বৰৰ আবাধ্য আছিল৷ নোহৰ
জাহাজ তৈয়াৰ কৰাৰ সময়ত ঈশ্বৰ সহিষ্ণু হৈ তেওঁলোকৰ বাবে

অপেক্ষা কৰিছিল৷ ঈশ্বৰে অলপ মানুহক ৰক্ষা কৰিলে, আঠ টা আত্মা
সেই জলৰ পৰা ৰক্ষা পালে৷ ২১ সেই জল বাপ্তিস্মৰ প্ৰতীক, যাৰ যোগে
আপোনালোকে ৰক্ষা পালে৷ সেই বাপ্তিস্মৰ যোগেদি শৰীৰৰ ময়লা
আতৰোৱা নহয়, কিন্তু ঈশ্বৰৰ ওচৰত সৎ বিবেক বজায় ৰখাৰ কাৰণে
এক আবেদন৷ যীচু খ্ৰীষ্টৰ পুনৰুত্থানৰ যোগেদিহে আপোনালোকে ৰক্ষা
পালে৷ ২২ তেওঁ স্বৰ্গলৈ গ'ল৷ স্বৰ্গৰ দূত সকল, বিধিসংগত শাসন, আৰু
পৰাক্ৰম, অৱশ্যে তেওঁলৈ সমৰ্পন কৰক৷

**4** এতেকে, খ্ৰীষ্টই মাংসত দুখভোগ কৰাৰ কাৰণে, নিজকে সেই
একে অভিপ্ৰায়েৰে সুসজ্জিত কৰক৷ যি জনে মাংসত দুখভোগ কৰে,
সেই জনে পাপৰ পৰা ক্ষান্ত হয়৷ ২ এনে ব্যক্তিয়ে মাংসিক অভিলাষত
দীৰ্ঘ সময় জীৱন-যাপন নকৰে৷ কিন্তু ঈশ্বৰৰ ইচ্ছাৰ দৰে মানৱ
জীৱনৰ অৱশিষ্ট সময় কটায়৷ ৩ যিহেতু অনা-ইহুদী সকলে কৰি
অহা, ইন্দ্ৰিয়পৰায়ণতা, আবেগ, সুৰাসক্ত, পানাৰ্থক আমোদ-প্ৰমোদ,
ঘিণলগীয়া মূৰ্তিপূজা - এইবোৰত যি সময় পাৰ কৰিলে সেয়াই যথেষ্ট৷
৪ তাতে আপোনালোকে তেওঁলোকৰ সৈতে সেইবোৰ কৰ্ম নকৰা দেখি
তেওঁলোকে আচৰিত মানি আপোনালোকক নিন্দা কৰে। ৫ কিন্তু
যি জন জীৱিত আৰু মৃত লোক সকলৰ সোধ-বিচাৰ কৰিবলৈ যুগুত
আছে, তেওঁৰ আগত তেওঁলোকে হিচাব দিব লাগিব। ৬ কিয়নো যি
সকল মৰিল, তেওঁলোকৰ আগত এই অভিপ্ৰায়েৰে শুভবাৰ্তা প্ৰচাৰ
কৰা হৈছিল, যদিও তেওঁলোকৰ বিচাৰ যিহেতু মানৱ শৰীৰত হব,
আত্মাত তেওঁলোক সেই অনুসাৰে ঈশ্বৰলৈ জীৱিত৷ ৭ কিন্তু সকলোৰে
শেষ ওচৰ চাপিছে; এতেকে প্ৰাৰ্থনাৰ কাৰণে সুবোধ আৰু সচেতন হৈ
থাকক; ৮ বিশেষকৈ আপোনালোকৰ মাজত পৰস্পৰে আগ্ৰহযুক্ত প্ৰেম
ৰাখক; কিয়নো প্ৰেমে আনৰ পাপ সমূহ নিবিচাৰে। ৯ আপত্তি নকৰাকৈ
ইজন-সিজনৰ প্ৰতি অতিথিপৰায়ণ হওক। ১০ আপোনালোকে যেনেকৈ
প্ৰতিজনে অনুগ্ৰহৰ বৰ পালে, তেনেকৈ ঈশ্বৰৰ বহুবিধ অনুগ্ৰহৰূপ
ধনৰ উত্তম তত্বাৱধায়কৰদৰে, আপোনালোকে পৰস্পৰক সেৱা শুশ্ৰূষা
কৰক; ১১ যদি কোনোৱে কথা কয়, তেনেহলে ঈশ্বৰৰ বাক্যৰদৰে
কওক; যদি কোনোৱে সেৱা শুশ্ৰূষা কৰে, তেনেহলে ঈশ্বৰে দিয়া

শক্তি অনুসাৰে কৰক; এইদৰে সকলো বিষয়তে যীচু খ্ৰীষ্টৰ দ্বাৰাই
ঈশ্বৰ মহিমান্বিত হয়; তেওঁৰেই মহিমা আৰু পৰাক্ৰম চিৰকাল হওক।
আমেন। (aiōn g165) ১২ হে প্ৰিয় লোক সকল, আপোনালোকক পৰীক্ষা
কৰিবৰ কাৰণে আপোনালোকৰ মাজত যি অগ্নিময় কষ্টৰ জুই জ্বলিছে,
এইবোৰত আপোনালোকে বিস্মিত নহ'ব, কোনো অদ্ভুত বিষয় ঘটিছে
বুলি মনত নাভাবিব৷ ১৩ কিন্তু খ্ৰীষ্টৰ দুখভোগৰ সহভাগী হোৱা বাবে
আপোনালোকে আনন্দ কৰক, ইয়াৰ উপৰি তেওঁৰ গৌৰৱ প্ৰকাশিত
হোৱা সময়ত আপোনালোকে অধিক আনন্দ আৰু উল্লাস কৰিব পাৰিব।
১৪ আপোনালোক ধন্য, যদি আপোনালোকে খ্ৰীষ্টৰ নামৰ কাৰণে
নিন্দিত হয়; কাৰণ ঈশ্বৰৰ আত্মা আৰু গৌৰৱৰ আত্মা আপোনালোকৰ
ওপৰত স্থিৰ হৈ আছে। ১৫ কিন্তু আপোনালোকৰ মাজত কোনেও যেন
নৰবধী, চোৰ, কুকৰ্মকাৰী বা পৰচৰ্চ্চাকাৰী বুলি দুখভোগ নকৰক; ১৬
যদি কোনো এজনে খ্ৰীষ্টিয়ান হোৱা কাৰণে দুখভোগ কৰে, তেনেহলে
লজ্জিত নহওক; কিন্তু সেই নামেৰে ঈশ্বৰক মহিমান্বিত কৰক। ১৭
কিয়নো ঈশ্বৰৰ পৰিয়াল বৰ্গৰ সৈতে সোধ-বিচাৰৰ সময় আৰম্ভ হৈছে;
আৰু সেয়ে যদি প্ৰথমে আমাৰ সৈতে আৰম্ভ হয়, তেনেহলে ঈশ্বৰৰ
শুভবাৰ্তা নমনা সকলৰ শেষগতি কি হ'ব? ১৮ আৰু যদি ধাৰ্মিক
লোকেই কোনো প্ৰকাৰেহে পৰিত্ৰাণ পায়, তেনেহলে ভক্তিহীন আৰু
পাপিষ্ঠ লোকে ক'ত মুখ দেখুৱাব? ১৯ এই কাৰণে যি সকল লোকে
ঈশ্বৰৰ ইচ্ছা অনুসাৰে দুখভোগ কৰে, সেই লোক সকলে সৎ কৰ্ম
কৰি, নিজ নিজ জীৱাত্মাক বিশ্বাসী সৃষ্টিকৰ্ত্তাৰ হাতত সমৰ্পণ কৰক।

৫ মই আপোনালোকৰ মাজৰ পৰিচাৰক সকলক দৃঢ় আহ্বান জনাও
যে, মইয়ো সহকৰ্মী সকলৰ এজন পৰিচাৰক আৰু খ্ৰীষ্টৰ দুখভোগৰ
এজন সাক্ষী; প্ৰকাশিত হ'বলৈ উদ্যত হোৱা গৌৰৱৰ সহভাগী৷
২ গতিকে, মই আপোনালোকক দৃঢ় আহ্বান কৰোঁ, হে পৰিচাৰক
সকল, ঈশ্বৰৰ মেষৰ জাকক আপোনালোকে যত্ন লওঁক৷ তেওঁলোকক
প্ৰতিপালন কৰক, অৱশ্যে আৱশ্যকতাৰ কাৰণে নহয়, কিন্তু স্ব-ইচ্ছাৰে
কৰক, কিন্তু অসৎ ধনৰ বাবে নহয়৷ ৩ যি সকল লোকৰ ওপৰত
আপোনালোক তত্বাৱধায়ক, তেওঁলোকৰ ওপৰত প্ৰভুত্বৰে অধিকাৰ

নকৰিব; কিন্তু জাকৰ আৰ্হি হৈ তেওঁলোকৰ তত্বাৱধান কৰক; ৪
যেতিয়া প্ৰধান ৰক্ষক প্ৰকাশিত হব, তেতিয়া আপোনালোকে ঐশ্বৰ্যৰূপ
অম্লান কিৰীটি পাব। ৫ সেইদৰে হে ডেকা লোক সকল, আপোনালোক
পৰিচাৰক সকলৰ বশীভূত হওক; আপোনালোক সকলোৱে নম্ৰতাৰে
নিজকে ভালদৰে মেৰিয়াই বান্ধি লওঁক আৰু ইজনে সিজনক সেৱা
কৰক; যিহেতু, ঈশ্বৰে অহংকাৰী সকলক প্ৰতিৰোধ কৰে, কিন্তু
নম্ৰ সকলক অনুগ্ৰহ দান কৰে। ৬ সেই কাৰণে ঈশ্বৰৰ পৰাক্ৰমী
হাতৰ অধীনত নিজকে নম্ৰ কৰক, তাতে উপযুক্ত সময়ত ঈশ্বৰে
আপোনালোকক উন্নত কৰিব৷ ৭ আপোনালোকৰ সকলো চিন্তাৰ
ভাৰ তেওঁৰ ওপৰত পেলাই দিয়ক; কিয়নো আপোনালোকৰ কাৰণে
তেওঁ চিন্তা কৰে। ৮ সচেতন হওক, পৰ দি থাকক। আপোনালোকৰ
শত্ৰু চয়তানে গুজৰি থকা সিংহৰ নিচিনাকৈ যি কোনো এজনকে
গ্ৰাস কৰিবলৈ গোপনে উপায় বিচাৰি ফুৰিছে। ৯ তাৰ বিৰুদ্ধে থিয়
হওক৷ আপোনালোকৰ বিশ্বাস দৃঢ় কৰি ৰাখক৷ এইটো জানিব যে,
গোটেই জগতত থকা আপোনালোকৰ ভাতৃ সকলেও একে দুখভোগ
কৰি আছে৷ ১০ আপোনালোকে অলপ সময় দুখভোগ কৰাৰ পাছত,
সকলো অনুগ্ৰহৰ ঈশ্বৰ, যি জনে অনন্ত গৌৰৱৰ বাবে আপোনালোকক
খ্ৰীষ্টত আমন্ত্ৰণ কৰিছে, তেৱেঁই আপোনালোকক সিদ্ধ, সুস্থিৰ আৰু
বলৱন্ত কৰিব। **(aiōnios g166)** ১১ তেওঁৰ পৰাক্ৰম চিৰকাল হওক।
আমেন। **(aiōn g165)** ১২ মই চীলক বিশ্বাসী ভাই হিচাপে গণ্য
কৰোঁ আৰু তেওঁৰ যোগেদি সংক্ষেপে এই পত্ৰ আপোনালোকলৈ
লিখিলোঁ৷ আপোনালোকক প্ৰবোধ দিলোঁ আৰু এয়ে ঈশ্বৰৰ প্ৰকৃত
অনুগ্ৰহ বুলি সাক্ষ্যও দিলোঁ৷ মই আপোনালোকক দৃঢ় আহ্বান কৰোঁ
আৰু ঈশ্বৰৰ প্ৰকৃত অনুগ্ৰহৰ সাক্ষ্য দান কৰি, এই পত্ৰ লিখিলোঁ৷
ইয়াতে আপোনালোক দৃঢ় হৈ থাকক৷ ১৩ আপোনালোকৰ সৈতে
মনোনীত হোৱা বাবিল দেশত থকা মণ্ডলীয়ে আৰু মোৰ পুত্ৰ মাৰ্কে
আপোনালোকক মঙ্গলবাদ জনাইছে। ১৪ প্ৰেমৰ চুমাৰে আপোনালোকে
পৰস্পৰক মঙ্গলবাদ দিয়ক। খ্ৰীষ্টত যি সকল আছে, আপোনালোক
সকলোৱে শান্তি হওক।

# ২ পিতৰ

**১** মই চিমোন পিতৰ, যীচু খ্ৰীষ্টৰ এজন দাস আৰু পাঁচনি। যি সকলে
আমাৰ ঈশ্বৰ আৰু ত্ৰাণকৰ্তা যীচু খ্ৰীষ্টৰ ধাৰ্মিকতাৰ মাধ্যমত আমি
লাভ কৰাৰ দৰে একেই অমূল্য বিশ্বাস লাভ কৰিছে, সেই সকলৰ
সমীপলৈ। ২ ঈশ্বৰ আৰু আমাৰ প্ৰভু যীচুক গভীৰভাৱে জনাৰ মাজেদি
আপোনালোকলৈ অনুগ্ৰহ আৰু শান্তি বাহুল্যৰূপে হওক। ৩ যি জনে
নিজৰ মহিমা আৰু সদগুণেৰে আমাক আমন্ত্ৰণ কৰিলে, তেওঁক
গভীৰভাৱে জনাৰ মাধ্যমেদি তেওঁৰ ঐশ্বৰিক শক্তিয়ে আমাক ঈশ্বৰৰ
প্ৰতি ভক্তিপূৰ্ণ জীৱন-যাপন কৰাৰ সকলো বিষয় দান কৰিলে। ৪
তেওঁ এইবোৰৰ দ্বাৰাই আমাক মূল্যবান আৰু অতি মহৎ প্ৰতিজ্ঞাবোৰ
দান কৰিলে। তেওঁ এনেদৰে কৰিলে যাতে আপোনালোকে সেই
প্ৰতিজ্ঞাবোৰৰ দ্বাৰাই জগতৰ মন্দ অভিলাষবোৰৰ দুৰ্নীতিৰ পৰা মুক্ত
হৈ ঐশ্বৰিক স্বভাৱৰ সহভাগী হ’ব পাৰে। ৫ ঈশ্বৰে যি সকলো কৰিলে,
তাৰ কাৰণে আপোনালোকৰ বিশ্বাসৰ মাধ্যমেৰে সদগুণ লাভ কৰিবলৈ
নিজে সম্পূৰ্ণৰূপে যত্ন কৰক। সদগুণৰ লগতে আপোনাৰ জ্ঞানো বৃদ্ধি
কৰক। ৬ জ্ঞানৰ লগত ইন্দ্ৰিয়-দমন, ইন্দ্ৰিয়-দমনৰ লগত ধৈৰ্য, ধৈৰ্যৰ
লগত ঈশ্বৰভক্তি, ৭ ঈশ্বৰ-ভক্তিৰ লগত পৰস্পৰৰ মাজত ভাতৃ-স্নেহ
আৰু ভাতৃ-স্নেহৰ লগত প্ৰেম বৃদ্ধি কৰক। ৮ কিয়নো আপোনালোকৰ
যদি এই সকলো গুণ থাকে আৰু সেইবোৰ আপোনালোকৰ মাজত বৃদ্ধি
পায়, তেনেহলে আমাৰ প্ৰভু যীচু খ্ৰীষ্টৰ তত্ব-জ্ঞানত আপোনালোক
কৰ্মহীন বা নিষ্ফল নহ’ব। ৯ যি জনৰ এই সকলো গুণ নাই, তেওঁ
ওচৰতহে দেখে; আচলতে তেওঁ অন্ধ। তেওঁক যে পূৰ্বৰ পাপ সমূহৰ
পৰা শুচি কৰা হৈছে, সেই বিষয় তেওঁ পাহৰি গ’ল। ১০ এতেকে ভাই
সকল, ঈশ্বৰে যে আপোনালোকক আমন্ত্ৰণ আৰু মনোনীত কৰিছে,
সেই বিষয়ে আপোনালোকে নিজে নিশ্চিত হবৰ কাৰণে অধিক যত্ন
কৰক। এইবোৰ কৰিলে, আপোনালোকে উজুটি নাখাব। ১১ তাতে
আমাৰ প্ৰভু আৰু ত্ৰাণকৰ্তা যীচু খ্ৰীষ্টৰ অনন্ত ৰাজ্যত আপোনালোকক
অতি আন্তৰিকতাৰে প্ৰৱেশ কৰোঁৱা হ’ব। **(aiōnios g166)** ১২ এই
হেতুকে, যদিও আপোনালোকে এই সকলোবোৰ জানে আৰু যি সত্য

তাত থিৰে আছে, তথাপি মই সকলো সময়তে আপোনালোকক এই
বিষয়বোৰ মনত পেলাই দিবলৈ প্ৰস্তুত থাকিম; ১৩ কিন্তু মই এইটো
সঠিক বুলি ভাৱো যে, যিমান দিন মই এই তম্বুৰূপ অস্থায়ী দেহত
থাকিম, সিমান দিনলৈকে এই বিষয়বোৰ সোঁৱৰাই দি আপোনালোকক
জাগ্ৰত কৰি ৰখা মোৰ উচিত। ১৪ কিয়নো মই জানো যে, শীঘ্ৰেই মই
মোৰ তম্বু গুচাম; আমাৰ প্ৰভু যীচু খ্ৰীষ্টই ইয়াকে মোক জনালে। ১৫
মই আপ্ৰাণ চেষ্টা কৰিছোঁ যাতে মোৰ মৃত্যুৰ পাছতো আপোনালোকে
এই সকলো বিষয় সকলো সময়তে মনত ৰাখে। ১৬ আমাৰ প্ৰভু
যীচু খ্ৰীষ্টৰ পৰাক্ৰম আৰু তেওঁৰ আগমণ সম্বন্ধে আপোনালোকক
জনাওঁতে আমি চতুৰতাৰে সজা কোনো গল্প-কথা কোৱা নাছিলো।
আমি তেওঁৰ মহিমা নিজৰ চকুৰে দেখিছিলোঁ। ১৭ কিয়নো, “এওঁ
মোৰ প্ৰিয় পুত্ৰ, এওঁতেই মই পৰম সন্তুষ্ট,” স্বৰ্গৰ গৌৰৱময় প্ৰতাপৰ
দ্বাৰা তেওঁলৈ অহা এই বাণীৰ মাধ্যমেদি খ্ৰীষ্টই পিতৃ ঈশ্বৰৰ পৰা
সন্মান আৰু গৌৰৱ পাইছিল। ১৮ আমি যেতিয়া তেওঁৰ লগত সেই
পবিত্ৰ পাহাৰত আছিলোঁ, তেতিয়া স্বৰ্গৰ পৰা কোৱা এই মাত নিজে
শুনিছিলো। ১৯ ভাববাদী সকলৰ এই বাক্য আমাৰ ওচৰত অধিকৰূপে
নিশ্চিত হৈছে আৰু সেই বিষয়ত মনোযোগ দিয়া আপোনালোকৰ পক্ষে
ভাল। সেই বাক্য এক অন্ধকাৰ ঠাইত জ্বলি থকা চাকিৰ নিচিনা।
যেতিয়ালৈকে ৰাতিপুৱা নহয় আৰু আপোনালোকৰ হৃদয়ত প্ৰভাতী
তৰাৰ উদয় নহয়, তেতিয়ালৈকে অন্ধকাৰৰ মাজতো সেয়ে পোহৰ
দিব। ২০ সকলোৰে ওপৰত প্ৰথমে ইয়াকে জানি থওঁক যে, ধৰ্মশাস্ত্ৰৰ
কোনো ভাৱবাণী, ভাৱবাদীজনৰ নিজৰ যুক্তি-ব্যাখ্যাৰ পৰা নাহে;
২১ ভাৱবাণী কেতিয়াও মানুহৰ ইচ্ছাৰে নাহে, কিন্তু পবিত্ৰ আত্মাৰ
পৰিচালনাত ভাৱবাদী সকলে ঈশ্বৰৰ পৰা পোৱা কথা কয়।

২ অতীতত ইস্ৰায়েলবাসীৰ মাজত যেনেদৰে মিছলীয়া ভাৱবাদী
সকল আছিল, তেনেদৰে আপোনালোকৰ মাজলৈকো ভণ্ড শিক্ষক
সকল আহিব। তেওঁলোকে মনে মনে এনেকুৱা কিছুমান বিৰোধী
ভ্ৰান্ত মতবাদ লৈ আহিব যিয়ে লোক সকলক ধ্বংস কৰি দিব। এনে
কি যি জনে তেওঁলোকক কিনি ললে, সেই প্ৰভুকো অস্বীকাৰ কৰিব;

এইদৰে তেওঁলোকে শীঘ্ৰেই নিজলৈ ধ্বংস মাতি আনিব। ২ অনেকে
সেই ভণ্ড শিক্ষক সকলৰ লম্পট আচৰণ অনুসৰণ কৰিব; তেওঁলোকৰ
প্ৰৰোচনাত মানুহে সত্যৰ পথৰ বিষয়ে নিন্দা কৰিব। ৩ তেওঁলোকে
লোভৰ বশত ছলাহী কথাৰে আপোনালোকৰ পৰা অৰ্থ লাভ কৰিব।
এই ভণ্ড শিক্ষক সকলৰ বিৰুদ্ধে বিচাৰৰ শাস্তি অনেক দিনলৈ অপেক্ষা
কৰি নাথাকিব; তেওঁলোকৰ বিনাশ পলম কৰা নহয়। ৪ স্বৰ্গৰ দূত
সকলে যেতিয়া পাপ কৰিছিল, তেতিয়া ঈশ্বৰে তেওঁলোকক এৰি দিয়া
নাছিল; বৰং বিচাৰৰ দিন পৰ্যন্ত অন্ধকূপৰ বন্ধনত ৰক্ষিত হবলৈ তেওঁ
সেই সকলক নৰকত পেলাই দিলে। **(Tartaroō g5020)** ৫ ঈশ্বৰে সেই
পুৰণি জগতকো এৰি দিয়া নাছিল; ঈশ্বৰৰ প্ৰতি ভক্তিহীন লোক সকলৰ
ওপৰলৈ তেওঁ জলপ্লাৱন আনিলে; কেৱল নোহ আৰু তেওঁৰ লগত আন
সাত জনক তেওঁ ৰক্ষা কৰিলে। এই নোহে লোক সকলক ধাৰ্মিকতাৰ
পথত চলাৰ সম্বন্ধে প্ৰচাৰ কৰিছিল। ৬ চদোম আৰু ঘমোৰা নগৰ ভস্ম
কৰি ঈশ্বৰে সেই নগৰৰ লোক সকলক বিচাৰ কৰি শাস্তি দিছিল।
ইয়াৰ দ্বাৰা ঈশ্বৰে ভাবী কালত ঈশ্বৰৰ ভক্তিহীন লোকৰ শেষ অৱস্থা
কি হ'ব তাকেই উদাহৰণ স্বৰূপে স্থাপন কৰিলে। ৭ কিন্তু লোটক তেওঁ
ৰক্ষা কৰিছিল। লোট ধাৰ্মিক লোক আছিল। সেই নগৰৰ বিধানহীন
মানুহবোৰৰ অনৈতিক চাল-চলনত তেওঁ অতি ব্যথিত হৈছিল। ৮ সেই
ধাৰ্মিক লোক জনে বিধানহীন মানুহবোৰৰ মাজত বাস কৰিছিল আৰু
তেওঁৰ ধাৰ্মিক আত্মাই প্ৰতিদিনে এই লোক সকলৰ অধাৰ্মিক কাৰ্যবোৰ
দেখি আৰু সেইবোৰৰ বিষয়ে শুনি যন্ত্ৰণা ভোগ কৰিছিল। ৯ গতিকে যি
সকল ঈশ্বৰভক্ত লোক, তেওঁলোকক কেনেদৰে পৰীক্ষাৰ পৰা উদ্ধাৰ
কৰিব লাগে, প্ৰভুৱে জানে। যি সকলে ঈশ্বৰক ভক্তি নকৰে, অধাৰ্মিক
লোক; তেওঁলোকক কেনেদৰে বিচাৰৰ দিনা শাস্তি দিয়া হ'ব, সেই
বিষয়েও প্ৰভুৱে জানে। ১০ এই দণ্ড বিশেষভাৱে তেওঁলোকৰ বাবে, যি
সকলে অশুচিতাৰ মাংসিক অভিলাষবোৰত চলে আৰু প্ৰভুৰ কতৃত্বক
হেয়জ্ঞান কৰে। এই ভণ্ড শিক্ষক সকল দু: সাহসী আৰু তেওঁলোকে
নিজৰ ইচ্ছামতে চলে। তেওঁলোকে এনে কি স্বৰ্গৰ দূত সকলকো নিন্দা
কৰিবলৈ ভয় নকৰে। ১১ সকলো মনুষ্যতকৈয়ো স্বৰ্গৰ দূত সকল

অধিক শক্তিশালী আৰু ক্ষমতাশালী, তথাপি প্ৰভুৰ ওচৰত তেওঁলোকৰ
সম্বন্ধে কোনো দোষ, অভিযোগ উপস্থাপন নকৰে। ১২ কিন্তু জ্ঞানহীন,
বুদ্ধিহীন পশুবোৰ নিজৰ স্বভাৱগত বাসনাৰ অধীন, যাৰ জন্ম মৰিবৰ
বাবেই হৈছে; ভণ্ড শিক্ষক সকলো এনে বিচাৰ-বুদ্ধিহীন পশুৰ নিচিনা;
তেওঁলোকে যি নাজানে, সেই বিষয়ে নিন্দা কৰে। নিজৰ মন্দতাতে
সিহঁত ধ্বংস হৈ যাব। ১৩ নিজৰ মন্দ কামৰ বেচ হিচাপে সিহঁতে
কষ্টভোগ কৰিব। এই লোক সকলে দিনৰ বেলা অন্যায় কাম কৰি
আনন্দ কৰে। সেই সকল আপোনালোকৰ মাজত অপৰিস্কাৰ দাগ
আৰু কলঙ্ক স্বৰূপ। তেওঁলোকে আপোনালোকৰ লগত ভোজন-পান
কৰি নিজৰ প্ৰতাৰণাপূৰ্ণ সুখ উপভোগ কৰে; ১৪ সকলো মহিলাৰ
প্ৰতি তেওঁলোকৰ চকু ব্যভিচাৰেৰে ভৰা আৰু তেওঁলোকে পাপ কাৰ্য
কৰি কেতিয়াও সন্তুষ্ট নহয়; আৰু যি সকল চঞ্চলমনা, সেই সকলক
ভুল পথত লৈ যায়৷ তেওঁলোকৰ মন কেৱল লোভ কৰাত অভ্যস্ত;
তেওঁলোক অভিশপ্ত। ১৫ এই ভণ্ড শিক্ষক সকলে পোন পথ ত্যাগ কৰি
অপথে গৈছে। তেওঁলোকে বিয়োৰৰ পুত্ৰ বিলিয়মক অনুসৰণ কৰে;
বিলিয়মে মন্দ কাৰ্যক প্ৰেম কৰিলে আৰু তাৰে বেচ পাবলৈ উচিত
দেখিছিল। ১৬ কিন্তু বিলিয়মে তেওঁৰ অপৰাধৰ কাৰণে এটা গাধৰ
পৰা কঠোৰ ধমক পালে। গাধ পশু হোৱা বাবে কথা কব নোৱাৰে।
কিন্তু সেই গাধই মানুহৰ মাতেৰে কথা কৈ ভাৱবাদীৰ মূৰ্খ কাৰ্যত বাধা
দিছিল। ১৭ এই লোক সকল পানী নথকা নাদৰ নিচিনা আৰু ধুমুহা
বতাহে চলাই নিয়া মেঘস্বৰূপ। তেওঁলোকৰ কাৰণে ঘোৰ আন্ধাৰ সাঁচি
থোৱা হৈছে। ১৮ কিয়নো তেওঁলোকে অসাৰতাৰ গৰ্ব কথা কয় আৰু
মানুহক মাংসিক অভিলাষ পূৰ্ণ কৰাৰ বাসনা জগায়। যি সকলে ভুল
পথত জীৱন-যাপন কৰা লোক সকলৰ সঙ্গৰ পৰা হাত সাৰি আহিবলৈ
চেষ্টা কৰে, এনে লোক সকলক তেওঁলোকে পাপ স্বভাৱৰ মাংসিক
অভিলাষলৈ প্ৰলুব্ধ কৰে। ১৯ এই ভণ্ড শিক্ষক সকলে তেওঁলোকক
স্বাধীনতা দিয়াৰ প্ৰতিজ্ঞা কৰে, কিন্তু নিজেই সেই সকলো নিন্দনীয়
কামৰ দাস হৈ থাকে। কাৰণ যিহে এজন মানুহক জয় কৰি পৰিচালনা
কৰে, তেওঁ তাৰে দাস হয়। ২০ কিয়নো প্ৰভু আৰু ত্ৰাণকৰ্তা যীচু

খ্ৰীষ্টক গভীৰভাৱে জনাৰ ফলত জগতৰ মন্দতাৰ পৰা হাত সাৰি
অহাৰ পাছতো যেতিয়া সেই একেই পাপৰ জীৱনলৈ পুণৰাই ঘূৰি যায়,
তেনেহলে তেওঁলোকৰ প্ৰথম অৱস্থাতকৈ শেষ অৱস্থা অধিক বেয়া হব।
২১ কাৰণ যি পবিত্ৰ বিধান তেওঁলোকে লাভ কৰিছিল, তাৰ পৰা যদি
উলটি যায়, তেনেহলে তেওঁলোকৰ বাবে সেই ধাৰ্মিকতাৰ পথ নজনাই
ভাল আছিল। ২২ তেওঁলোকৰ ক্ষেত্ৰত এই প্ৰবাদ সত্য হৈছে, “কুকুৰে
নিজৰ বমিলৈ ঘূৰে আৰু গাহৰিক ধুউৱা হলেও সি বোকালৈকে আকৌ
উলটি যায়।”

৩ হে প্ৰিয় সকল, মই আপোনালোকলৈ লিখা এইখন দ্বিতীয় পত্ৰ;
এই উভয়ৰ দ্বাৰাই সোঁৱৰণ কৰাই আপোনালোকৰ নিৰ্মল মনক
চেতনা দিছোঁ; ২ পবিত্ৰ ভাৱবাদী সকলে পূৰ্বতে কোৱা কথাবোৰ
আৰু আপোনালোকৰ পাঁচনি সকলে পোৱা ত্ৰাণকৰ্তা প্ৰভুৰ আজ্ঞা
আপোনালোকে যেন সোঁৱৰণ কৰে, তাৰ বাবে এই পত্ৰ লিখিছোঁ। ৩
প্ৰথমে ইয়াকে জানিব যে, শেষ-কালত বিদ্ৰূপত আসক্ত বিদ্ৰূপকাৰী
লোকবোৰ উপস্থিত হ’ব; তেওঁলোকে নিজ নিজ কু-অভিলাষ অনুসাৰে
চলিব৷ ৪ তেওঁলোকে ক’ব, “আমাৰ পিতৃৰ আগমণৰ প্ৰতিজ্ঞা কি হ’ল?
কাৰণ আমি জানো আমাৰ পিতৃপুৰুষ মৰাৰ সময়ৰ পৰা, এনে কি সৃষ্টিৰ
অাদিৰে পৰা একেদৰেই ঘটি আছে৷” ৫ কাৰণ তেওঁলোকে পুৰ্বে
কি ঘটিছিল তাক স্মৰণ নকৰি পাহৰি গ’ল৷ প্ৰথমে যে আকাশমণ্ডল
জলৰ পৰা আৰু জলৰ দ্বাৰাই পৃথিৱী আৰু ঈশ্বৰৰ মুখৰ বাক্যৰ দ্বাৰাই
সকলো সৃষ্টি হ’ল৷ ৬ আৰু এই সময়তেই ঈশ্বৰৰ বাক্যৰ দ্বাৰাই জগত
জলপ্লাবিত হৈ বিনষ্ট হৈছিল; ৭ একে বাক্যৰ গুণে বৰ্তমান এই কালৰ
আকাশমণ্ডল আৰু পৃথিৱী জুইৰ দ্বাৰাই ধ্বংস হবলৈ সংৰক্ষণ হৈছে,
এইদৰে ভক্তিহীন মানুহবোৰো বিচাৰ আৰু বিনাশ হোৱাৰ দিনলৈকে
ৰক্ষিত হৈ অাছে৷ ৮ কিন্তু, প্ৰিয় সকল, আপোনালোকে এই কথা
নাপাহৰিব যে ঈশ্বৰৰ আগত এদিনেই হাজাৰ বছৰৰ নিচিনা আৰু
হাজাৰ বছৰেই এদিনৰ নিচিনা। ৯ প্ৰভুৱে নিজ প্ৰতিজ্ঞাৰ কথাত
তেনে পলম নকৰে; কোনোৱে যদি পলম কৰা বুলি ভাবে, এনে নহয়
ঈশ্বৰে কোনো এজনো যাতে বিনষ্ট নহয়, কিন্তু সকলোৱে যেন মন-

পালটন কৰে সেয়ে তেওঁ আমাৰ কাৰণে ধৈৰ্য ধৰি আছে৷ ১০ কিন্তু
চোৰৰ অহাৰ দৰে প্ৰভুৰ দিন আহিব, সেইদিনা আকাশমণ্ডল ডাঙৰ
শব্দ কৰি গুচি যাব৷ আকাশৰ সকলো বস্তু জুইত জ্বলি ধ্বংস হ'ব;
পৃথিৱী আৰু তাৰ সকলো বস্তু পোৰা যাব। ১১ এইদৰে আটাইবোৰ
ধ্বংস হবলৈ যোৱা দেখি, আপোনালোকে চিন্তা কৰকচোন, পবিত্ৰ
ভক্তি আৰু আচাৰ-ব্যৱহাৰৰ যোগেদি আপোনালোক কেনেকুৱা লোক
হোৱা উচিত? ১২ পৰম আগ্ৰহেৰে ঈশ্বৰৰ সেই দিনৰ অপেক্ষাত থকা
কাৰণে আকাশমণ্ডল পুৰি লয়প্ৰাপ্ত হ'ব আৰু মূলবস্তুবোৰ দগ্ধ হৈ গলি
যাব। ১৩ কিন্তু তেওঁৰ প্ৰতিজ্ঞাৰ দৰে, আমি নতুন আকাশমণ্ডল আৰু
নতুন পৃথিৱীলৈ অপেক্ষা কৰি আছোঁ; সেইবোৰত ধাৰ্মিকতা নিবাস
কৰে। ১৪ এতেকে, হে প্ৰিয় সকল, আপোনালোকে এই সকলো
ঘটনা ঘটিব বুলি অপেক্ষা কৰি আছে, সেয়েহে আপোনালোকে যেন
ঈশ্বৰৰ লগত নিষ্কলঙ্ক আৰু নিৰ্দোষী হৈ শান্তিৰে থাকিব পাৰে, তাৰ
কাৰণে যত্ন কৰক। ১৫ মনত ৰাখিব, আমাৰ ঈশ্বৰৰ দীৰ্ঘ-সহিষ্ণুতাই
আপোনালোকক পৰিত্ৰাণৰ সময় দিছে; এইদৰে আমাৰ প্ৰিয় ভাই
পৌলেও ঈশ্বৰে দিয়া জ্ঞান অনুসাৰে আপোনালোকলৈ লিখিলে; ১৬
আৰু এইবোৰ বিষয়ৰ প্ৰসঙ্গ কৰি সকলো পত্ৰত লিখিলে; কোনো
কোনো ঠাইত বুজিবলৈ টান কথা আছে; অজ্ঞ আৰু বিশ্বাসত দুৰ্ব্বল
মানুহবোৰে শাস্ত্ৰৰ অন্যান্য কথাৰ যেনেকৈ বিকৃত অৰ্থ কৰে, তেনেকৈ
পৌলৰ কথাৰ বিকৃত অৰ্থ কৰি নিজকেই বিনাশৰ পথত লৈ যায়। ১৭
এতেকে, হে প্ৰিয় সকল, আপোনালোকে এই সকলো বিষয় আগেয়ে
জানি সাৱধানে থাকক, আপোনালোক অনৈতিক কাৰ্য কৰা লোকৰ
ভ্ৰান্তি পথত নাযাব, নিজ বিশ্বাসৰ স্থিৰতাৰ পৰা যেন পতিত নহয়, এই
কাৰণে সাৱধানে থাকক। ১৮ আমাৰ প্ৰভু আৰু ত্ৰাণকৰ্তা যীচু খ্ৰীষ্টৰ
অনুগ্ৰহত আৰু জ্ঞানত বাঢ়ি বাঢ়ি যাওঁক। এতিয়া আৰু চিৰকাললৈকে
তেওঁৰ মহিমা হওক। আমেন। **(aiōn g165)**

# ১ যোহন

**১** যি আদিৰে পৰা আছিল, যি আমি শুনিলোঁ, যি চকুৰে দেখিলোঁ, যি
আমি মনোযোগেৰে দৃষ্টি কৰি দেখিলোঁ আৰু যি আমাৰ হাতেৰে অনুভৱ
কৰিলোঁ, সেই জীৱনৰ বাক্যৰ প্ৰসংগ আমি লিখিলোঁ, ২ আৰু সেই
জীৱন প্ৰকাশিত আছিল, আমি দেখিছিলোঁ, সাক্ষ্য বহন কৰিছিলোঁ আৰু
আপোনালোকলৈ সেই অনন্ত জীৱন ঘোষণা কৰোঁ, যি অনন্ত জীৱন
পিতৃৰ সৈতে আছিল আৰু আমাৰ আগত প্ৰকাশিত হ’ল; **(aiōnios g166)**
৩ সেয়া আমি দেখিলোঁ, শুনিলোঁ আৰু আপোনালোকলৈ ঘোষণাও
কৰিলোঁ, গতিকে আপোনালোকেও আমাৰ সৈতে সহভাগীতা ৰাখিব।
আমাৰ যি সহভাগীতা, সেয়া পিতৃৰ সৈতে আৰু তেওঁৰ পুত্ৰ যীচু খ্ৰীষ্টৰ
সৈতে সহভাগিতা। ৪ আৰু আপোনালোকৰ আনন্দ যেন সম্পূৰ্ণ হয়,
সেই কাৰণে আমি এইবোৰ কথা লিখিছোঁ। ৫ আমি যি বাৰ্তা তেওঁৰ
পৰা শুনি আপোনালোকৰ আগত ঘোষণা কৰিছোঁ, সেই বাৰ্তাই হ’ল,
ঈশ্বৰ পোহৰ আৰু তেওঁত আন্ধাৰ অকণ মানো নাই। ৬ সেয়েহে আমি
যদি তেওঁৰে সৈতে সহভাগিতাত আছোঁ বুলি কওঁ আৰু আমি আন্ধাৰত
চলোঁ, তেনেহলে আমি মিছলীয়া আৰু সত্যৰ আচৰণ আমাৰ নাই৷ ৭
কিন্তু তেওঁ যেনেকৈ পোহৰত আছে, তেনেকৈ আমিও যদি পোহৰত
চলোঁ, তেনেহলে পৰস্পৰ মাজত আমাৰ সহভাগিতা আছে আৰু তেওঁৰ
পুত্ৰ, যীচুৰ তেজে সকলো পাপৰ পৰা আমাক শুচি কৰে। ৮ আমাৰ
পাপ নাই বুলি যদি কওঁ, তেনেহলে আমি নিজেই নিজকে ভুলাওঁ; আৰু
আমাৰ অন্তৰত সত্যতা নাই। ৯ কিন্তু আমি যদি আমাৰ পাপবোৰ
স্বীকাৰ কৰোঁ, তেনেহলে বিশ্বাসী আৰু ধাৰ্মিক যি তেওঁ, তেওঁ আমাৰ
পাপবোৰ ক্ষমা কৰে আৰু সকলো অধৰ্মৰ পৰা আমাক শুচি কৰে। ১০
আমি পাপ কৰা নাই বুলি যদি কওঁ, তেনেহলে তেওঁক মিছলীয়া পাতোঁ
আৰু আমাৰ অন্তৰত তেওঁৰ বাক্য নাই।

**২** হে মোৰ প্ৰিয় সন্তানসকল, আপোনালোকে যেন পাপ নকৰে,
এই আশয়েৰে মই আপোনালোকলৈ এইবোৰ কথা লিখিছোঁ। কিন্তু
কোনোৱে যদি পাপ কৰে, তথাপি পিতৃৰ আগত আমাৰ সহায় কৰিবলৈ
ধাৰ্মিক যীচু খ্ৰীষ্ট আছে। ২ তেৱেঁই আমাৰ পাপৰ প্ৰায়শ্চিত্ত কৰোঁতা;

কেৱল আমাৰেই নহয়, গোটেই জগতৰে, ৩ আৰু আমি তেওঁৰ
আজ্ঞাবোৰ যদি পালন কৰোঁ, তেনেহলে তাৰ দ্বাৰাই আমি জানিম
যে, তেওঁক আমি জানিলোঁ। ৪ কোনোৱে যদি কয়, ‘মই ঈশ্বৰক
জানো’, কিন্তু তেওঁৰ আজ্ঞাবোৰ পালন নকৰে; তেনেহলে তেওঁ
এজন মিছলীয়া আৰু সেই সত্য তেওঁৰ অন্তৰত নাই৷ ৫ কিন্তু যি
জনে তেওঁৰ বাক্য পালন কৰে, তেওঁৰ অন্তৰত ঈশ্বৰৰ প্ৰেম স্বৰূপেই
সিদ্ধ হ’ল। তাৰ দ্বাৰাই আমি জানো যে, তেওঁত আমি আছোঁ। ৬
‘মই তেওঁত থাকোঁ’, এই বুলি যদি কোনোৱে কয়, তেনেহলে যীচুৱে
যেনে আচৰণ কৰিলে, তেৰোঁ তেনে আচৰণ কৰা উচিত। ৭ হে
প্ৰিয়সকল, মই আপোনালোকলৈ কোনো নতুন আজ্ঞা লিখা নাই,
কিন্তু আদিৰে পৰা আপোনালোকে যি পাই আহিছে, এনে পুৰণি
আজ্ঞাকে লিখিছোঁ; আপোনালোকে আগেয়ে যি বাক্য শুনিলে, সেয়ে
এই পুৰণি আজ্ঞা। ৮ এতিয়া মই আপোনালোকলৈ এটা নতুন আজ্ঞা
লিখিছোঁ, এই কথা খ্ৰীষ্টত আৰু অাপোনালোকতো সত্য হয়; কাৰণ
আন্ধাৰ আতৰি যাব ধৰিছে আৰু সম্প্ৰতি প্ৰকৃত পোহৰ প্ৰকাশিত
হৈছে৷ ৯ ‘মই পোহৰতে আছোঁ’, এই বুলি যি কোনোৱে নিজ ভাইক
ঘিণ কৰে, তেওঁ এতিয়ালৈকে আন্ধাৰতে আছে। ১০ যি কোনোৱে
নিজ ভাইক প্ৰেম কৰে, তেওঁ পোহৰত থাকে আৰু তেওঁৰ অন্তৰত
বিঘ্নজনক একো নাই। ১১ কিন্তু যি কোনোৱে নিজ ভাইক ঘিণ কৰে,
তেওঁ আন্ধাৰত আছে আৰু আন্ধাৰত ফুৰে; ক’লৈ যায় সেই বিষয়ে
তেওঁ নাজানে; কাৰণ আন্ধাৰে তেওঁৰ চকু অন্ধ কৰিলে। ১২ হে প্ৰিয়
সন্তানসকল, যীচু খ্ৰীষ্টৰ নামৰ গুণে অাপোনালোকৰ পাপ ক্ষমা কৰা
হ’ল; এই কাৰণে মই আপোনালোকলৈ লিখিছোঁ৷ ১৩ হে পিতৃসকল,
মই আপোনালোকলৈ লিখিছোঁ, কাৰণ যিজন আৰম্ভণিৰে পৰা আছে,
তেওঁক আপোনালোকে জানিলে; হে যুৱকসকল, মই তোমালোকলৈ
লিখিছোঁ, কাৰণ তোমালোকে চয়তানক জয় কৰিলা৷ হে শিশুসকল, মই
তোমালোকলৈ লিখিলোঁ, কাৰণ তোমালোকে পিতৃ ঈশ্বৰক জানিলা৷
১৪ হে পিতৃসকল, যিজন আদিৰে পৰা আছে, তেওঁক আপোনালোকে
জানিছে; এই কাৰণে মই অাপোনালোকলৈ লিখিলোঁ। হে ডেকাসকল

তোমালোক বলৱন্ত আৰু ঈশ্বৰৰ বাক্য তোমালোকৰ অন্তৰত আছে আৰু
তোমালোকে চয়তানক জয় কৰিছা; এই কাৰণে মই তোমালোকলৈ
লিখিলোঁ। ১৫ আপোনালোকে জগতক বা জগতত থকা বিষয়বোৰক
প্ৰেম নকৰিব; কোনোৱে যদি জগতক প্ৰেম কৰে, তেনেহলে পিতৃ
ঈশ্বৰৰ প্ৰেম তেওঁৰ অন্তৰত নাই। ১৬ কিয়নো জগতত যিবোৰ আছে,
অৰ্থাৎ মাংসৰ অভিলাষ, চকুৰ অভিলাষ, আৰু জীৱন কালৰ অহংকাৰ,
এইবোৰ পিতৃ ঈশ্বৰৰ পৰা উৎপন্ন নহয়, জগতৰ পৰাহে হয়। ১৭ জগত
আৰু জগতৰ কামনা-বাসনা শেষ হৈ গুচি যাব ধৰিছে; কিন্তু যিজনে
ঈশ্বৰৰ ইচ্ছা পালন কৰে, তেওঁ চিৰকাললৈকে থাকে। **(aiōn g165)** ১৮ হে
শিশুসকল, শেষ-কাল উপস্থিত হৈছে৷ আৰু খ্ৰীষ্টৰ শত্ৰু আহিব লাগিছে,
এই যি কথা তোমালোকে শুনিলা, সেইদৰে এতিয়াই অনেক খ্ৰীষ্টৰ
শত্ৰু আহিল; ইয়াৰ দ্বাৰাই আমি জানো যে, শেষ-কাল উপস্থিত হৈছে।
১৯ খ্ৰীষ্টৰ এই শত্ৰুবোৰ আমাৰ মাজৰ পৰা ওলাই গ'ল, কিন্তু আমাৰ
সম্বন্ধীয় নাছিল; কিয়নো আমাৰ সম্বন্ধীয় হোৱা হ'লে, আমাৰ লগতে
থাকিলহেঁতেন; কিন্তু তেওঁলোক প্ৰকাশিত হ'বলৈ, অৰ্থাৎ তেওঁলোক
যে আমাৰ সম্বন্ধীয় নহয়, এই বিষয়ে প্ৰকাশিত হ'বলৈ তেওঁলোক
ওলাই গ'ল। ২০ কিন্তু আপোনালাকে পবিত্ৰ জনৰ পৰা অভিষেক
পাইছে, আৰু আপোনালোকে সত্যক জানে। ২১ াপোনালোকে
সত্যক নাজানে বুলি যে মই এইবোৰ আপোনালোকলৈ লিখিছোঁ, এনে
নহয়; কিন্তু াপোনালোকে সত্যক আৰু সত্যত যে কোনো মিছা
নাই, এই বিষয়েও জানিছে কাৰণেহে মই লিখিলোঁ৷ ২২ যীচু সেই
অভিষিক্ত জন বুলি যিজনে অস্বীকাৰ কৰে, তেওঁৰ বাহিৰে প্ৰকৃত
মিছলীয়া আন কোন আছে? সেই জনেই খ্ৰীষ্টৰ শত্ৰু; তেওঁ পিতৃ আৰু
পুত্ৰকো অস্বীকাৰ কৰে। ২৩ যিজনে পুত্ৰক অস্বীকাৰ কৰে, তেওঁ পিতৃক
পোৱা নাই; কিন্তু যিজনে পুত্ৰক স্বীকাৰ কৰে, তেওঁ পিতৃক পালে। ২৪
আপোনালোকে আদিৰে পৰা যি যি শুনিলে, সেয়ে আপোনালোকৰ
অন্তৰত থাকক। আদিৰে পৰা শুনা সেই কথা আপোনালোকৰ অন্তৰত
যদি থাকে, তেনেহলে আপোনালোকে পুত্ৰত আৰু পিতৃত থাকিব, ২৫
আৰু এয়ে আমাৰ আগত কৰা তেওঁৰ প্ৰতিশ্ৰুতিপূৰ্ণ প্ৰতিজ্ঞা; অনন্ত

জীৱন। (aiōnios g166) ২৬ যি সকলে আপোনালোকক বিপথগামী
কৰে, তেওঁলোকৰ প্ৰসংগতো মই আপোনালোকলৈ এইবোৰ কথা
লিখিলোঁ। ২৭ আৰু তেওঁৰ পৰা গ্ৰহণ কৰা অভিষেক আপোনালোকৰ
অন্তৰত থকাত, আপোনালোকক আন কোনোবাই শিক্ষা দিয়াৰ
প্ৰয়োজন নাই৷ কিন্তু তেওঁৰ সেই অভিষেকে যেনেকৈ সকলো বিষয়তে
আপোনালোকক শিক্ষা দি আছে আৰু সেই অভিষেক সত্য, মিছা
নহয় আৰু আপোনালোকে সেই শিক্ষাৰে তেওঁতে থাকক৷ ২৮ আৰু
এতিয়া, হে মোৰ প্ৰিয় সন্তানসকল, আপোনালোকে তেওঁত থাকক;
তেওঁ প্ৰকাশিত হলে আমি সাহিয়াল হ'ম আৰু তেওঁৰ আগমণৰ সময়ত
তেওঁৰ সন্মুখত লজ্জিত নহ'ম৷ ২৯ যদি আপোনালোকে জানিছে যে,
তেওঁ ধাৰ্মিক; তেনেহলে ধাৰ্মিকতাপূৰ্ণ আচৰণ কৰা প্ৰতিজন যে,
তেওঁৰ পৰা জন্ম পোৱা হয়, ইয়াকো আপোনালোকে জানিব৷

৩ ভাবি চাওক, পিতৃ ঈশ্বৰে আমাক কেনে প্ৰেম প্ৰদান কৰিলে, আমি
যেন ঈশ্বৰৰ সন্তান বুলি অভিহিত হওঁ আৰু আমি হৈছোও! এই বাবে
জগতৰ মানুহে আমাক নাজানে, কাৰণ জগতে তেওঁক নাজানিলে৷ ২
হে প্ৰিয়সকল, এতিয়া আমি ঈশ্বৰৰ সন্তান; কিন্তু পাছত কি হ'ম, সেয়ে
এতিয়ালৈকে প্ৰকাশিত হোৱা নাই। কিন্তু আমি জানো যে, খ্ৰীষ্ট যেতিয়া
প্ৰকাশিত হব, তেতিয়া আমি তেওঁৰ নিচিনাই হ'ম৷ তেওঁ যেনেকুৱা
আছে, তেনেকুৱাই তেওঁক দেখিম৷ ৩ আৰু তেওঁৰ ওপৰত যি ব্যক্তিৰ
এনে আশা বা আত্মবিশ্বাস আছে, তেওঁ যেনে শুচি, তেৰোঁ তেনেকৈ
নিজকে শুচি কৰে। ৪ যি কোনোৱে পাপ-আচৰণ কৰে, তেওঁ বিধান
লঙ্ঘন কৰে; আৰু বিধান-লঙ্ঘন কৰাই পাপ। ৫ আপোনালোকে জানে
যে, পাপ দূৰ কৰিবলৈ তেওঁ প্ৰকাশিত হ'ল আৰু তেওঁত কোনো পাপ
নাই। ৬ যি কোনোৱে তেওঁত থাকে, তেওঁ পাপ নকৰে; যি কোনোৱে
পাপ কৰে, তেওঁ তেওঁক দেখা নাই আৰু জনাও নাই। ৭ হে প্ৰিয়
সন্তানসকল, আপোনালোকক ভুলাবলৈ কাকো নিদিব; যি কোনোৱে
ধাৰ্মিকতা আচৰণ কৰে, খ্ৰীষ্ট যেনে ধাৰ্মিক, তেৰোঁ তেনে ধাৰ্মিক হয়।
৮ যি কোনোৱে পাপ-আচৰণ কৰে, তেওঁ চয়তানৰ; কিয়নো চয়তানে
আদিৰে পৰা পাপ কৰি আছে। চয়তানৰ কৰ্ম ধ্বংস কৰিবৰ কাৰণে

ঈশ্বৰৰ পুত্ৰ প্ৰকাশিত হ'ল। ৯ যিজন ঈশ্বৰৰ পৰা জন্ম পোৱা হয়,
তেওঁ পাপ-আচৰণ নকৰে; কাৰণ ঈশ্বৰৰ বীজ তেওঁৰ অন্তৰত থাকে৷
তেওঁ পাপ কৰিব নোৱাৰে; কাৰণ ঈশ্বৰৰ পৰা তেওঁৰ জন্ম হ'ল। ১০
ইয়াতে প্ৰকাশ পায় কোন ঈশ্বৰৰ সন্তান আৰু কোন চয়তানৰ সন্তান!
যি কোনোৱে ধাৰ্মিকতাৰ আচৰণ নকৰে, তেওঁ ঈশ্বৰৰ সন্তান নহয়।
যিজনে নিজ ভায়েকক প্ৰেম নকৰে, তেৱোঁ ঈশ্বৰৰ সন্তান নহয়। ১১
কিয়নো আমি যেন পৰস্পৰে প্ৰেম কৰোঁ, এই বাৰ্তা আপোনালোকে
আদিৰে পৰা শুনি আছে। ১২ আপোনালোক কয়িনৰ নিচিনা নহব।
কয়িন চয়তানৰ লোক আছিল আৰু তেওঁ চয়তানৰ পৰা হ'ল আৰু নিজ
ভায়েকক বধ কৰিলে। তেওঁ কি কাৰণে নিজ ভাইক বধ কৰিলে?
কাৰণ তেওঁৰ কৰ্ম মন্দ আছিল, কিন্তু তেওঁৰ ভায়েক ধাৰ্মিক আছিল।
১৩ হে মোৰ ভাইসকল, জগতে যদি আপোনালোকক ঘৃণা কৰে,
তেনেহলে তাত বিস্ময় নামানিব। ১৪ আমি ভাই সকলক প্ৰেম কৰাৰ
কাৰণে বুজি পাওঁ যে, আমি মৃত্যুৰ পৰা জীৱনলৈ পাৰ হ'লোঁ, ইয়াকে
জানো। যি কোনোৱে প্ৰেম নকৰে, তেওঁ মৃত্যুতেই থাকে। ১৫ যি
কোনোৱে নিজ ভাইক ঘিণ কৰে, তেওঁ এজন নৰবধী৷ কোনো নৰবধীৰ
অন্তৰত অনন্ত জীৱন নাথাকে, ইয়াক আপোনালোকে জানে। **(aiōnios
g166)** ১৬ যীচু খ্ৰীষ্টে আমাৰ কাৰণে নিজৰ প্ৰাণ দিলে, ইয়াতেই আমি
প্ৰেমৰ তত্ব জানিবলৈ পালোঁ৷ আমিও ভাই সকলৰ কাৰণে নিজ নিজ
প্ৰাণ দিয়া উচিত। ১৭ কিন্তু যিজনৰ সাংসাৰিক জীৱিকাৰ উপায় আছে,
তেওঁ নিজ ভাইৰ অভাৱ দেখিও যদি স্নেহ নকৰি হৃদয় বন্ধ কৰি থয়
আৰু তেওঁৰ পৰা নিজ স্নেহ আটক কৰে, তেনেহলে ঈশ্বৰৰ প্ৰেম
কেনেকৈ তেওঁৰ অন্তৰত থাকিব? ১৮ হে প্ৰিয় সন্তানসকল, আহক;
আমি কেৱল বাক্যৰ দ্বাৰাই বা জিভাৰে নহয়, কৰ্ম আৰু সত্যেৰে
প্ৰেম কৰোঁহক। ১৯ ইয়াৰ দ্বাৰাই আমি জানো যে, সত্যৰ পৰা হওঁ;
২০ আৰু আমাৰ অন্তৰে আমাক দোষী কৰিলেও তেওঁৰ উপস্থিতিত
আমাৰ অন্তৰ আশ্বাসত থাকিব৷ কাৰণ ঈশ্বৰ আমাৰ হৃদয়তকৈ মহান
আৰু তেওঁ সকলো জানে। ২১ হে প্ৰিয় সন্তানসকল, আমাৰ হৃদয়ে
যদি আমাক দোষী নকৰে, তেনেহলে ঈশ্বৰত আমাৰ নিশ্চয়তা বা

আত্মবিশ্বাস আছে; ২২ আৰু আমি যিহকে যাচনা কৰোঁ, সেয়ে আমি
তেওঁৰ পৰা পাওঁ। কিয়নো আমি তেওঁৰ আজ্ঞাবোৰ পালন কৰোঁ আৰু
তেওঁৰ দৃষ্টিত যি যি সন্তোষজনক, সেই কৰ্ম আমি কৰোঁ। ২৩ তেওঁৰ
পুত্ৰ যীচু খ্ৰীষ্টৰ নামত আমি যেন বিশ্বাস কৰোঁ আৰু তেওঁ আমাক দিয়া
আজ্ঞাৰ দৰে আমি যেন পৰস্পৰে প্ৰেম কৰোঁ, এয়ে তেওঁৰ আজ্ঞা। ২৪
আৰু যিজনে ঈশ্বৰৰ আজ্ঞাবোৰ পালন কৰে, তেওঁ ঈশ্বৰত থাকে আৰু
ঈশ্বৰো তেওঁত থাকে। তেওঁ যে আমাৰ লগত থাকে, ইয়াকে তেওঁ
আমাক দিয়া আত্মাৰ দ্বাৰাই আমি জানোঁ।

**4** হে প্ৰিয়সকল, অাপোনালোকে সকলো আত্মাত বিশ্বাস নকৰিব;
কিন্তু সেই আত্মা ঈশ্বৰৰ হয় নে নহয়, সেই বিষয়ে জানিবৰ বাবে
আত্মাবোৰ পৰীক্ষা কৰি চাব; কাৰণ জগতত বহুত ভুৰা ভাববাদী
ওলাল। ২ অাপোনালোকে ঈশ্বৰৰ আত্মাক এনেদৰে জানিব পাৰিব,
যীচু খ্ৰীষ্ট যে মাংসত আহিল, এই কথা যিবোৰ আত্মাই স্বীকাৰ কৰে,
সেই আত্মা ঈশ্বৰৰ; ৩ আৰু যি আত্মাই যীচুক স্বীকাৰ নকৰে, সেইবোৰ
ঈশ্বৰৰ নহয়; সেয়ে খ্ৰীষ্টৰ শত্ৰুৰ আত্মা। এই বিষয়ে আপোনালোকে
শুনিছে, এইবোৰ ইতিমধ্যে জগতত এতিয়া উপস্থিত হৈ আছে। ৪ হে
প্ৰিয় সন্তানসকল, অাপোনালোক হ'ল ঈশ্বৰৰ আৰু অাপোনালোকে
সেই আত্মা বোৰৰ ওপৰত জয় কৰিলে; কিয়নো জগতত থকা জনতকৈ
আপোনালোকত থকা জন মহান। ৫ এই আত্মাবোৰ জগতৰ; এই
কাৰণে জগতৰ কথাহে কয় আৰু জগতৰ লোক সকলেও এইবোৰৰ
কথা শুনে। ৬ আমি হ'লে ঈশ্বৰৰ লোক; যিজনে ঈশ্বৰক জানে, তেওঁ
আমাৰ কথা শুনে; যিজন ঈশ্বৰৰ নহয়, তেওঁ আমাৰ কথা নুশুনে। ইয়াৰ
দ্বাৰাই আমি সত্যৰ আত্মা আৰু ভ্ৰান্তিৰ আত্মাক জানিব পাৰোঁ। ৭
হে প্ৰিয় লোকসকল আহক, আমি পৰস্পৰে প্ৰেম কৰোঁহক; কিয়নো
প্ৰেম ঈশ্বৰৰ পৰা হয়। যি কোনোৱে প্ৰেম কৰে, তেওঁ ঈশ্বৰৰ পৰা
জন্ম পোৱা আৰু তেওঁ ঈশ্বৰক জানে। ৮ যিজনে প্ৰেম নকৰে, তেওঁ
ঈশ্বৰক নাজানে; কিয়নো ঈশ্বৰেই প্ৰেম। ৯ ঈশ্বৰৰ একমাত্ৰ পুত্ৰৰ
দ্বাৰাই আমি জীৱন লাভ কৰিবলৈ ঈশ্বৰে যে, তেওঁক জগতলৈ পঠালে,
ইয়াতে আমাৰ বাবে ঈশ্বৰৰ প্ৰেম প্ৰকাশিত হ'ল। ১০ ঈশ্বৰক যে আমি

প্ৰেম কৰিলোঁ, এনে নহয়; কিন্তু তেওঁহে আমাক প্ৰেম কৰিলে আৰু
আমাৰ পাপৰ প্ৰায়শ্চিত্ত হ'বলৈ নিজ পুত্ৰক পঠাই দিলে, ইয়াতেই
প্ৰেম আছে। ১১ হে প্ৰিয়সকল, ঈশ্বৰে আমাক যদি এনে প্ৰেম কৰিলে,
তেনেহলে আমিও পৰস্পৰে প্ৰেম কৰা উচিত। ১২ ঈশ্বৰক কোনেও
কেতিয়াও দেখা নাই; আমি যদি পৰস্পৰে প্ৰেম কৰোঁ, তেনেহলে
ঈশ্বৰ আমাৰ লগত থাকে আৰু তেওঁৰ প্ৰেম আমাৰ মাজত সিদ্ধ হয়।
১৩ আমি জানোঁ যে, তেওঁ আমাৰ মাজত আছে; আৰু আমিও তেওঁৰ
লগত আছোঁ৷ এই বিষয়ে আমি জানো, কাৰণ ঈশ্বৰে তেওঁৰ আত্মাক
আমাৰ বাবে দান কৰিলে৷ ১৪ আমি দেখিছোঁ আৰু সাক্ষ্য দিছোঁ যে,
পিতৃয়ে জগতৰ ত্ৰাণকৰ্তা হ'বলৈ তেওঁৰ পুত্ৰক পঠাই দিলে৷ ১৫ যীচু
যে ঈশ্বৰৰ পুত্ৰ; ইয়াক যিজনে স্বীকাৰ কৰে, ঈশ্বৰ তেওঁত থাকে আৰু
তেৰোঁ ঈশ্বৰত থাকে। ১৬ আমালৈ ঈশ্বৰৰ প্ৰেম আছে, এই কথা
আমি জানোঁ আৰু বিশ্বাসো কৰোঁ। ঈশ্বৰ প্ৰেম আৰু যি জন প্ৰেমত
থাকে, তেওঁ ঈশ্বৰত থাকে আৰু ঈশ্বৰো তেওঁত থাকে। ১৭ এই প্ৰেমে
আমাৰ ক্ষেত্ৰত এনেদৰে পূৰ্ণতা পালে যে, আমি সোধ-বিচাৰৰ দিনা
আত্মবিশ্বাসীহৈ থিয় হব পাৰিম; কিয়নো তেওঁ যেনেকুৱা, আমিও এই
জগতত তেনেকুৱাই আছোঁ। ১৮ প্ৰেমত ভয় নাই, কিন্তু সিদ্ধ প্ৰেমে
ভয়ক দূৰ কৰে; কাৰণ ভয়ৰ সৈতে শাস্তি জড়িত থাকে৷ কিন্তু যি জনে
ভয় কৰে, তেওঁ প্ৰেমত সিদ্ধতা লাভ কৰা নাই৷ ১৯ আমি প্ৰেম কৰোঁ,
কাৰণ তেৱেঁই প্ৰথমে আমাক প্ৰেম কৰিলে৷ ২০ কোনোৱে যদি কয়,
'মই ঈশ্বৰক প্ৰেম কৰোঁ', কিন্তু তেওঁ যদি নিজ ভাইক ঘৃণা কৰে,
তেনেহলে তেওঁ মিছলীয়া; কিয়নো ভাইক যদি তেওঁ দেখিও প্ৰেম কৰা
নাই, তেনেহলে যি জনক দেখা নাই, এনে ঈশ্বৰক তেওঁ প্ৰেম কৰিব
নোৱাৰে। ২১ যিজনে ঈশ্বৰক প্ৰেম কৰে, তেওঁ আপোন ভাইকো প্ৰেম
কৰক; এই আজ্ঞা আমি তেওঁৰ পৰা পালোঁ।

৫ যীচু যে সেই অভিষিক্ত হয়, ইয়াক যিজনে বিশ্বাস কৰে, তেওঁ
ঈশ্বৰৰ পৰা জন্ম পোৱা; আৰু যিজনে জন্ম দিওঁতা পিতৃক প্ৰেম কৰে,
তেওঁ পিতৃৰ পৰা জন্ম পোৱা জনকো প্ৰেম কৰে। ২ আমি যেতিয়া
ঈশ্বৰক প্ৰেম কৰোঁ আৰু তেওঁৰ আজ্ঞা পালন কৰোঁ, তেতিয়া ঈশ্বৰৰ

সন্তান সকলকো যে প্ৰেম কৰোঁ, ইয়াকে জানো। ৩ কাৰণ ঈশ্বৰে দিয়া
প্ৰেমৰ অভিপ্ৰায় এয়েই, আমি যেন তেওঁৰ আজ্ঞাবোৰ পালন কৰোঁ;
আৰু তেওঁৰ আজ্ঞাবোৰ ব'বলৈ গধুৰ নহয়৷ ৪ যিসকল ঈশ্বৰৰ পৰা
জন্ম পোৱা, তেওঁলোকে জগতক জয় কৰে। আৰু জগতক জয় কৰা যি
জয়, সেয়ে আমাৰ বিশ্বাস। ৫ যীচু যে ঈশ্বৰৰ পুত্ৰ হয়, ইয়াক যি জনে
বিশ্বাস কৰে, তেওঁৰ বাহিৰে জগতক জয় কৰোঁতা কোন? ৬ জল
আৰু তেজেদি অহা জন তেৰেঁই; তেওঁ হ'ল যীচু খ্ৰীষ্ট; তেওঁ কেৱল
জলেৰে নহয়, কিন্তু জল আৰু তেজ, এই উভয়েৰে আহিল। এই সাক্ষ্য
আত্মা দিয়ে, কাৰণ আত্মা সত্য। ৭ আৰু সাক্ষ্য দিওঁতা তিনিটা; ৮
আত্মা, জল, আৰু তেজ, এই তিনিওৰো সাক্ষ্য এক। ৯ আমি যদি
মানুহবোৰৰ সাক্ষ্য গ্ৰহন কৰোঁ, তেনেহলে ঈশ্বৰৰ সাক্ষ্য তাতকৈয়ো
শ্ৰেষ্ঠ; কিয়নো এয়া ঈশ্বৰৰ সাক্ষ্য। তেওঁ নিজৰ পুত্ৰৰ বিষয়ে সাক্ষ্য
দিলে। ১০ যিজনে ঈশ্বৰৰ পুত্ৰত বিশ্বাস কৰে, সেই সাক্ষ্য তেওঁৰ
অন্তৰত থাকে; যিজনে ঈশ্বৰত বিশ্বাস নকৰে, তেওঁ ঈশ্বৰক মিছলীয়া
পাতিলে; কিয়নো নিজৰ পুত্ৰৰ বিষয়ে ঈশ্বৰে যি সাক্ষ্য দিলে, সেই
সাক্ষ্যত তেওঁ বিশ্বাস কৰা নাই। ১১ সেই সাক্ষ্য এই যে, ঈশ্বৰে আমাক
অনন্ত জীৱন দিলে আৰু সেই জীৱন তেওঁৰ পুত্ৰত আছে। **(aiōnios g166)**
১২ যিজনে পুত্ৰক পালে, তেওঁৰ জীৱন আছে; যিজনে ঈশ্বৰৰ পুত্ৰক
পোৱা নাই, তেওঁৰ জীৱন নাই। ১৩ ঈশ্বৰৰ পুত্ৰৰ নামত বিশ্বাস কৰা
যি আপোনালোক, আপোনালোকৰ যে অনন্ত জীৱন আছে, সেই বিষয়ে
আপোনালোকে জানিবৰ বাবে এইবোৰ কথা মই আপোনালোকলৈ
লিখিলোঁ। **(aiōnios g166)** ১৪ এই বিষয়ত আমাৰ দৃঢ় আস্থা আছে যে,
আমি যদি তেওঁৰ ইচ্ছা অনুসাৰে তেওঁৰ ওচৰত যি কোনো বিষয়
বিচাৰো, তেনেহলে তেওঁ আমাৰ যাচনা শুনে; ১৫ আৰু আমি যদি
সঁচাকৈ জানোঁ যে, আমাৰ যাচনাৰ বিষয় তেওঁ শুনে; তেনেহলে আমি
জানিব লাগে যে, আমি তেওঁৰ ওচৰত যি যি বিচাৰিছোঁ, সেই সকলো
পালোঁ৷ ১৬ কোনোৱে যদি নিজ ভাইক মৃত্যুজনক নোহোৱা পাপ কৰা
দেখে, তেনেহলে তেওঁ প্ৰাৰ্থনা কৰক আৰু ইয়াৰ যোগেদি ঈশ্বৰে
মৃত্যুজনক নোহোৱা পাপ কৰা লোকক জীৱন দিব। মৃত্যুজনক পাপ

আছেই; তাৰ বিষয়ে নিবেদন কৰিবলৈ মই নকওঁ। ১৭ সকলো অধৰ্মই
পাপ; কিন্তু মৃত্যুজনক নোহোৱা পাপো আছে। ১৮ আমি জানোঁ যে,
ঈশ্বৰৰ পৰা জন্ম পোৱা জনে পাপ নকৰে; কিন্তু যিজনে ঈশ্বৰৰ পৰা
জন্ম পালে, ঈশ্বৰে তেওঁক চয়তানৰ পৰা ধৰি ৰাখে; আৰু চয়তানে
তেওঁক স্পৰ্শ কৰিব নোৱাৰে। ১৯ আমি জানোঁ যে, আমি ঈশ্বৰৰ সন্তান
হওঁ আৰু গোটেই জগত মিছাকৈয়ে চয়তানৰ অধীনত আছে৷ ২০ আমি
ইয়াকো জানোঁ যে, ঈশ্বৰৰ পুত্ৰ আহিল আৰু তেওঁ আমাক সেই জ্ঞান
দিলে; ইয়াৰ দ্বাৰা আমি জানোঁ কোন সত্য। এতিয়া আমি সেই সত্য
ঈশ্বৰত আছোঁ আৰু তেওঁৰ পুত্ৰ যীচু খ্ৰীষ্টতো আছোঁ৷ এয়ে সত্য ঈশ্বৰ
আৰু অনন্ত জীৱন। **(aiōnios g166)** ২১ তেৰেঁই সত্য ঈশ্বৰ আৰু অনন্ত
জীৱন। হে প্ৰিয় সন্তানসকল, মূৰ্তিবোৰৰ পৰা নিজক দূৰৈত ৰাখক৷

# ২ যোহন

**১** ঈশ্বৰৰ মনোনীত সেই ভদ্ৰ মহিলা পৰিচাৰিকা আৰু তেখেতৰ সন্তান
সকলক মই সত্য প্ৰেম কৰোঁ; একমাত্ৰ ময়েই নহয়, কিন্তু যি সকলে
সত্যক জানে তেওঁলোকেও প্ৰেম কৰে৷ ২ কাৰণ সেই সত্য আমাৰ
অন্তৰত আছে আৰু আমাৰ সৈতে চিৰকাল থাকিব৷ (aiōn g165) ৩ পিতৃ
ঈশ্বৰৰ পৰা আৰু পিতৃৰ পুত্ৰ যীচু খ্ৰীষ্টৰ পৰাও অনুগ্ৰহ, দয়া আৰু
শান্তি, সত্যত আৰু প্ৰেমত আমাৰে সৈতে আছে। ৪ আমি পিতৃৰ পৰা
পোৱা আজ্ঞা গ্ৰহণ কৰাৰ দৰে আপোনাৰ কিছুমান সন্তানে সত্যত
চলি থকা দেখি, মই অতি আনন্দিত হৈছোঁ৷ ৫ হে ভদ্ৰ মহিলা, এতিয়া
মই আপোনাক মিনতি কৰোঁ যে, আপোনালৈ মই কোনো এটা নতুন
আজ্ঞা লিখা নাই, কিন্তু আমি আৰম্ভণিৰে পৰা পোৱাৰ দৰে পৰস্পৰে
প্ৰেম কৰা উচিত। ৬ আৰু প্ৰেম এইটোৱে হয়, য'ত আমি তেওঁৰ
আজ্ঞা অনুসাৰে চলোঁ৷ এই আজ্ঞা আপোনালোকে আৰম্ভণিৰে পৰা
শুনি আহিছে, সেয়েহে ইয়াতে আপোনালোকে চলক। ৭ কিয়নো
অনেক প্ৰৱঞ্চক জগতত ওলাল; তেওঁলোকে যীচু খ্ৰীষ্টক মাংসত অহা
বুলি স্বীকাৰ নকৰে৷ এওঁলোকেই প্ৰবঞ্চক আৰু খ্ৰীষ্টাৰি। ৮ আপুনি
নিজকে চাওক, যি বিষয়ৰ বাবে আমাৰ কৰ্ম কৰিবলগীয়া আছে, সেয়া
নেহেৰুৱাব, কিন্তু সম্পূৰ্ণ পুৰস্কাৰ গ্ৰহণ কৰক৷ এই কাৰণতে নিজলৈ
সাৱধান হ'ব। ৯ যি কোনোৱে খ্ৰীষ্টৰ উপদেশত নাথাকি সীমা পাৰ হৈ
যায়, তেওঁত ঈশ্বৰ নাই; যি জনে সেই উপদেশত থাকে, তেওঁত পিতৃ
আৰু পুত্ৰ, এই উভয়েই আছে। ১০ যদি কোনো এজন আপোনাৰ
ওচৰলৈ আহে আৰু এনে উপদেশ আপোনালোকৰ ওচৰলৈ লৈ নাহে,
তেনেলোকক ঘৰত গ্ৰহণ নকৰিব আৰু শুভেচ্ছাও নজনাব। ১১ যি জনে
তেনেলোকক শুভেচ্ছা জনায়, তেৱোঁ তেনেলোকৰ দুষ্কৰ্মৰ অংশীদাৰ
হয়। ১২ আপোনালোকলৈ লিখিবৰ বাবে মোৰ অনেক কথা আছে
আৰু সেইবোৰ চিঠি আকাৰে কাগজৰ পাতত লিখিবলৈ মই ইচ্ছা
নকৰোঁ৷ কিন্তু আমাৰ আনন্দ যেন সম্পূৰ্ণ হয়, সেয়েহে আপোনালোকৰ
ওচৰলৈ গৈ মুখা-মুখি হৈ কথা পাতিবৰ বাবে মই আশা কৰি আছোঁ।

১৩ আপোনাৰ মনোনীত ভনীয়েৰাৰ সন্তান সকলে আপোনাক শুভেচ্ছা
জনাইছে।

# ৩ যোহন

**১** যি জনক মই সত্যৰে প্ৰেম কৰোঁ, সেই জন প্ৰিয় পৰিচাৰক গায়ৰ
সমীপলৈ৷ ২ হে প্ৰিয়জন, আপোনাৰ জীৱাত্মা যেনে কুশলপ্ৰাপ্ত,
তেনেকৈ সকলো বিষয়তে আপোনাৰ কুশল আৰু সু-স্বাস্থ্য হওক, এই
মোৰ প্ৰাৰ্থনা। ৩ যেতিয়া ভাই সকলে আহি আপোনাৰ অন্তৰত থকা
সত্যৰ বিষয়ে, অৰ্থাৎ আপুনি যে সত্যক ধৰি ৰাখি জীৱন-যাপন কৰি
আছে, সেই বিষয়ে সাক্ষ্য দিয়াত, মই অতিশয় আনন্দিত হ'লোঁ। ৪
মোৰ সন্তান সকল সত্যত চলাৰ বাৰ্তা শুনিলে যি আনন্দ জন্মে, সেই
বিষয়তকৈ অধিক আনন্দ মোৰ আন ক'ত নাই। ৫ হে প্ৰিয়, আপুনি
ভাই আৰু অচিনাকি ভাই সকলৰ কাৰণে যেতিয়া কৰ্ম কৰিলে, সেয়া
আছিল আপোনাৰ বিশ্বস্তাৰ অনুশীলন, ৬ তেওঁলোকে আপোনাত জন্ম
হোৱা প্ৰেমক দেখিলে আৰু সাক্ষ্য ৰূপে মণ্ডলীৰ সন্মুখত আপোনাৰ
প্ৰেমৰ বিষয়ে সাক্ষ্য দিলে। ঈশ্বৰ সন্তুষ্ট হোৱাকৈ তেওঁলোকৰ যাত্ৰা
পথত আপুনি আগবঢ়াই সাহায্য কৰি ভালেই কৰিলে৷ ৭ কিয়নো
তেওঁলোকে অনা-ইহুদী সকলৰ পৰা একো নলৈ, প্ৰভুৰ নামৰ কাৰণে
ওলাই গৈছিল। ৮ এতেকে আমি সত্যৰ সহকাৰী হ'বলৈ, এনে লোক
সকলক প্ৰতিপালন কৰা উচিত। ৯ মই মণ্ডলীলৈ কিছু কথা লিখিছিলো;
কিন্তু তেওঁলোকৰ মাজত প্ৰাধান্যৰ অভিলাষী দিয়ত্ৰিফিয়ে মোৰ ক্ষমতা
স্বীকাৰ নকৰে। ১০ এই কাৰণে মই যদি যাওঁ, তেতিয়া তেওঁ কৰা
সকলো কৰ্ম মই তেওঁক সোঁৱৰাম, তেওঁ আমাৰ বিৰুদ্ধে হাস্যকৰ
ভাবে অসৎ কথাবোৰ কয়; আৰু এই কৰ্মবোৰৰ সৈতে কোনো কৰ্মসূচী
নথকাত, তেওঁলোকে নিজেও ভাই সকলক গ্ৰহণ নকৰে আৰু গ্ৰহণ
কৰিব খোজা সকলোকো বাৰণ কৰি মণ্ডলীৰ পৰা বাহিৰ কৰে। ১১ হে
প্ৰিয়, আপুনি দুষ্কৰ্মৰ অনুকাৰী নহব, কিন্তু সৎ কৰ্মৰ অনুকাৰী হওক।
যি জনে সৎ কৰ্ম কৰে, তেওঁ ঈশ্বৰৰ হয়; যি জনে দুষ্কৰ্ম কৰে, তেওঁ
ঈশ্বৰক দেখাই নাই। ১২ দীমীত্ৰিয় সকলোৰে বাবে সাক্ষ্য, এনে কি,
স্বয়ং সত্যৰ দ্বাৰায়ো সাক্ষ্য দিয়া হৈছে; আমিও সাক্ষ্য দিছোঁ; আৰু
আমাৰ সাক্ষ্য যে সত্য, সেই বিষয়ে আপুনি জানে। ১৩ আপোনালৈ
লিখিবৰ বাবে মোৰ অনেক কথা আছিল; কিন্তু চিয়াঁহী আৰু কলমেৰে

লিখিবলৈ মই ইচ্ছা নকৰোঁ; ১৪ বৰং আশা কৰোঁ যে, আপোনাক অতি
সোনকালে দেখিবলৈ পাম আৰু তেতিয়া মুখা-মুখি হৈ কথা-বতৰা
পাতিম। আপোনাৰ শান্তি হওক। আপোনাৰ বন্ধু সকলে আপোনাক
সম্ভাষণ জনাইছে। আপুনিও আপোনাৰ বন্ধু সকলক মোৰ নামেৰে
সম্ভাষণ জনাব৷

# যিহূদা

১ যিহূদা, যীচু খ্ৰীষ্টৰ এজন দাস আৰু যাকোবৰ ভাই; পিতৃ ঈশ্বৰত যি
সকল প্ৰিয়পাত্ৰ আৰু যি সকল যীচু খ্ৰীষ্টৰ কাৰণে ৰক্ষিত আছে, সেই
আমন্ত্ৰিত লোক সকলৰ সমীপলৈ: ২ আপোনালোকলৈ দয়া, শান্তি আৰু
প্ৰেম বাহুল্যৰূপে হওক। ৩ হে প্ৰিয় সকল, আমাৰ সকলোৰে পৰিত্ৰাণৰ
বিষয়ে লিখিবলৈ মই প্ৰয়োজন বোধ কৰোঁতে, ঈশ্বৰৰ পবিত্ৰ লোক
সকলৰ ওপৰত এবাৰ সমৰ্পিত হোৱা বিশ্বাসৰ পক্ষে প্ৰাণপণ কৰিবলৈ
দৃঢ় আহ্বান কৰি আপোনালোকলৈ লিখিলোঁ। ৪ কিয়নো কোনো কোনো
মানুহ গোপনে আপোনালোকৰ মাজত সোমাল; তেওঁলোক যে দণ্ডৰ
পাত্ৰ হ'ব, এই বিষয়ে পূৰ্বৰে পৰা লিখা আছে। তেওঁলোক ভক্তিহীন
লোক। তেওঁলোকে আমাৰ ঈশ্বৰৰ অনুগ্ৰহক লম্পট আচৰণত সলনি
কৰে আৰু আমাৰ একমাত্ৰ অধিপতি আৰু প্ৰভুক, অৰ্থাৎ যীচু খ্ৰীষ্টক
অস্বীকাৰ কৰে। ৫ কিন্তু এই বিষয়ে আপোনালোকে সকলো কথা
জানিলেও, আপোনালোকক সোঁৱৰাব খোজো যে, প্ৰভুৱে মিচৰ দেশৰ
পৰা তেওঁৰ লোক সকলক উদ্ধাৰ কৰি উলিয়াই অনাৰ সময়ত যি
সকলে বিশ্বাস নকৰিলে, তেওঁ সেই লোক সকলক বিনষ্ট কৰিলে। ৬
আৰু যি স্বৰ্গৰ দূত সকলে নিজৰ আধিপত্য নাৰাখি, নিজ বাসস্থান
ত্যাগ কৰিলে, তেওঁলোকক তেওঁ মহা-দিনৰ সোধ-বিচাৰৰ অৰ্থে,
অনন্ত দণ্ডৰ বন্ধনেৰে বান্ধি অন্ধকূপৰ অধীনত ৰাখিলে। **(aïdios
g126)** ৭ এইটো ঠিক চদোম আৰু ঘমোৰা নগৰৰ নিচিনা, আৰু
ইয়াৰ চাৰিওফালৰ নগৰবোৰ তেওঁলোকৰ দৰে বেশ্যাগমন আৰু
পুংমৈথুনৰ অভিলাষত লিপ্ত হ'ল। তেওঁলোকে অনন্ত জুইৰ শাস্তি
ভোগ কৰি আমাৰ আগত আৰ্হি হৈ আছে। **(aiōnios g166)** ৮ তথাপি
এইদৰে এই লোক সকলে সপোন দেখি তেওঁলোকৰ শৰীৰক অশুচি
কৰে, প্ৰভুত্বক অৱহেলা কৰে আৰু মহিমাৰ অধিকাৰী সকলৰ বিৰুদ্ধে
নিন্দা কৰে। ৯ কিন্তু প্ৰধান স্বৰ্গৰ দূত মীখায়েলে যেতিয়া মোচিৰ
শৰীৰৰ বিষয়ে চয়তানৰ লগত বাদানুবাদ কৰি বাগযুদ্ধ কৰিলে,
তেতিয়া তাৰ বিৰুদ্ধে তেওঁ দোষাৰোপ বা অপমান নকৰিলে; কিন্তু
তাৰ পৰিৱৰ্তে তেওঁ ক'লে, "প্ৰভুৱে তোমাক ডবিয়াওক!" ১০ কিন্তু

তেওঁলোকে যিহক নাজানে, তাক নিন্দা কৰে; জ্ঞানহীন পশুবোৰৰ
দৰে তেওঁলোকে যিহক স্বাভাৱিকৰূপে জানে, তাতেই নষ্ট হয়। ১১
তেওঁলোক সন্তাপৰ পাত্ৰ; কিয়নো তেওঁলোকে কয়িনৰ পথত গমন
কৰিলে আৰু বেছৰ অৰ্থে বিলিয়মৰ ভ্ৰান্তিৰূপ পথত লৰ ধৰিলে আৰু
কোৰহৰ প্ৰতিবাদত তেওঁলোক বিনষ্ট হ'ল। ১২ তেওঁলোক হ'ল,
আপোনালোকৰ প্ৰেম-ভোজত একেলগে ভোজন কৰোঁতে, পানীৰ
তলত লুকাই থকা বিঘ্নজনক শিলস্বৰূপ। তেওঁলোকে নিজকে নিজে
নিৰ্ভয়েৰে প্ৰতিপালন কৰে; তেওঁলোক বতাহৰ দ্বাৰাই চলাই নিয়া পানী
নথকা মেঘ; তেওঁলোক হেমন্ত-কালৰ ফলহীন গছ, দুবাৰ মৰা আৰু
উঘালি পেলোৱা গছ; ১৩ তেওঁলোক নিজৰ লাজ স্বৰূপে ফেন উলিওৱা
সাগৰৰ প্ৰচণ্ড ঢৌ; তেওঁলোক ভ্ৰমণকাৰী তৰাৰ নিচিনা; সেইবোৰৰ
কাৰণে তেওঁলোকলৈ চিৰকালৰ বাবে ঘোৰ আন্ধাৰ সাঁচি থোৱা হৈছে।
(aiōn g165) ১৪ আদমৰ পৰা সপ্তম পুৰুষ যি হনোক, তেৰোঁ তেওঁলোকৰ
উদ্দেশ্যে ভাবোক্তি প্ৰচাৰ কৰি কৈছিল, "চোৱা, প্ৰভু নিজৰ অযুত অযুত
পবিত্ৰ লোকৰ সৈতে, ১৫ সকলো লোকৰ সোধ-বিচাৰ কৰিবলৈ আৰু
ভক্তিহীন সকলে নিজৰ সকলো ভক্তিহীন কাৰ্যৰ দ্বাৰাই যি ভক্তি লঙ্ঘন
কৰিলে আৰু ভক্তিহীন পাপী লোকে তেওঁৰ বিৰুদ্ধে যি কঠিন কথা
ক'লে, সেই সকলোবোৰ বিষয়ত থকা দোষৰ প্ৰমাণ দিবলৈ আহিল।"
১৬ তেওঁলোক বিবাদকাৰী, স্ব-ভাগ্য নিন্দক আৰু নিজ নিজ অভিলাষৰ
অনুগামী; তেওঁলোকৰ মুখে গৰ্ব-কথা কয়; তেওঁলোকে লাভৰ অৰ্থে
মানুহৰ মুখৰ প্ৰশংসা কৰে। ১৭ কিন্তু, হে প্ৰিয় সকল, আমাৰ প্ৰভু
যীচু খ্ৰীষ্টৰ পাঁচনি সকলে পূৰ্বতে কোৱা কথা আপোনালোকে সোঁৱৰণ
কৰক; ১৮ তেওঁলোকে আপোনালোকক ক'লে, "শেষ-কালত নিজ
নিজ ভক্তিহীন অভিলাষৰদৰে চলা বিদ্ৰূপকাৰী সকল উপস্থিত হ'ব"।
১৯ তেওঁলোক দলভেদ কৰোঁতা আৰু ইন্দ্ৰিয়াসক্ত। তেওঁলোক আত্মা-
বিহীন। ২০ কিন্তু, হে প্ৰিয় সকল, আপোনালোকে নিজৰ পৰম পবিত্ৰ
বিশ্বাসৰূপ ভিত্তিমূলত নিজক গাঁথি লওঁক আৰু পবিত্ৰ আত্মাত প্ৰাৰ্থনা
কৰক; ২১ ঈশ্বৰৰ প্ৰেমক ধৰি ৰাখক আৰু অনন্ত জীৱনৰ অৰ্থে, আমাৰ
প্ৰভু যীচু খ্ৰীষ্টৰ দয়ালৈ অপেক্ষা কৰি থাকক। (aiōnios g166) ২২

আৰু কোনো লোকক, অৰ্থাৎ সংশয় কৰা সকলক দয়া কৰক; ২৩
কিছুলোকক জুইৰ পৰা থাপ মাৰি আনি ৰক্ষা কৰক আৰু কিছুমান
লোকক ভয়েৰে দয়া কৰক, মাংসৰ দ্বাৰা কলঙ্কিত বস্ত্ৰ ঘিণ কৰক। ২৪
এতিয়া যি জনে আপোনালোকক বাধাৰ পৰা ধৰি ৰাখিবলৈ সমৰ্থ আৰু
তেওঁৰ প্ৰতাপৰ আগত নিৰ্দোষীৰূপে অসীম আনন্দৰ সৈতে উপস্থিত
কৰিবলৈও সমৰ্থ, ২৫ তেৰেঁই একমাত্ৰ ঈশ্বৰ, আমাৰ ত্ৰাণকৰ্তা; প্ৰভু
যীচু খ্ৰীষ্টৰ দ্বাৰা তেওঁৰেই মহিমা, মহত্ব, অধিকাৰ আৰু ক্ষমতা, যুগৰ
পূৰ্বতে আৰু এতিয়া আৰু চিৰকাললৈ হওক। আমেন। **(aiōn g165)**

# প্ৰকাশিত বাক্য

**১** অলপতে যি যি ঘটিবলগীয়া আছে, সেই বিষয়ে যীচু খ্ৰীষ্টে তেওঁৰ
দাস সকলক দেখুৱাবৰ কাৰণে, ঈশ্বৰে তেওঁত সমৰ্পণ কৰা তেওঁৰ
প্ৰকাশিত বাক্য। এই বাক্য তেওঁ দূতৰ যোগেদি যোহনক জনালে। ২
যোহনে ঈশ্বৰৰ বাক্য আৰু যীচু খ্ৰীষ্টৰ সাক্ষ্যৰ বিষয়ে, অৰ্থাৎ যি যি
দৰ্শন পালে, সেই সকলোৰে বিষয়ে সাক্ষ্য দিলে। ৩ যি জনে এই
ভাববাণীৰ বাক্যবোৰ পঢ়ে, তেওঁ ধন্য; আৰু যি সকলে শুনে আৰু ইয়াত
লিখা কথাবোৰ পালন কৰে, তেওঁলোকো ধন্য; কিয়নো কাল ওচৰ। ৪
যোহন, - এচিয়াত থকা সাত মণ্ডলীৰ প্ৰতি: যি জন হয়, যি জন আছিল,
আৰু যি জন আহিব, তেওঁৰ পৰা আৰু তেওঁৰ সিংহাসনৰ সন্মুখত থকা
সাত আত্মাৰ পৰা আপোনালোকলৈ অনুগ্ৰহ আৰু শান্তি হওক, ৫ আৰু
যীচু খ্ৰীষ্টৰ পৰা, যি জন বিশ্বাসযোগ্য সাক্ষী, মৃত সকলৰ মাজত প্ৰথমে
জন্ম পোৱা আৰু পৃথিৱীৰ ৰজা সকলৰ অধিকাৰী; যি জনে আমাক প্ৰেম
কৰে আৰু নিজৰ তেজেৰে আমাক পাপৰ পৰা মুক্ত কৰিলে, অৰ্থাৎ মৃত
সকলৰ মাজৰ প্ৰথমজাত আৰু পৃথিৱীৰ ৰজা সকলৰ অধিপতি, সেই
জন যীচু খ্ৰীষ্টৰ পৰা আপোনালোকলৈ অনুগ্ৰহ আৰু শান্তি হওক, ৬
তেওঁ আমাক ৰাজ্য স্বৰূপ, ঈশ্বৰৰ উদ্দেশ্যে পুৰোহিত কৰিলে আৰু
তেওঁৰ পিতৃৰ প্ৰতি, তেওঁৰ মহিমা আৰু পৰাক্ৰম সদা-সৰ্বদায় হওক।
তেওঁৰ মহিমা আৰু পৰাক্ৰম চিৰকাল হওক। আমেন। **(aiōn g165)** ৭
চাওক, তেওঁ মেঘৰ সৈতে আহিছে; আটাই চকুৱে তেওঁক দেখিব, যি
সকলে তেওঁক বিন্ধিলে, তেওঁলোকেও তেওঁক দেখিব; আৰু পৃথিৱীৰ
সকলো ফৈদে তেওঁৰ কাৰণে হিয়া ভুকুৱাব; হয়, আমেন। ৮ প্ৰভু
পৰমেশ্বৰে কৈছে - “মই আলফা আৰু ওমেগা”, “যি জন আছে, যি জন
আছিল আৰু যি জন আহিব, সেই সৰ্বশক্তিমান।” ৯ আপোনালোকৰ
ভাই আৰু যীচুৰ সম্বন্ধীয় ক্লেশভোগ, ৰাজ্য আৰু ধৈৰ্যত আপোনালোকৰ
সহভাগী মই যোহন, ঈশ্বৰৰ বাক্য আৰু যীচুৰ সাক্ষ্যৰ কাৰণে পাত্ম
নামেৰে দ্বীপত আছিলোঁ। ১০ মই প্ৰভুৰ দিনত আত্মাত আছিলোঁ;
মোৰ পাছফালে তূৰীৰ মাতৰ দৰে বৰ মাত শুনিলোঁ। ১১ তাতে তেওঁ
ক’লে, “তুমি যি দৰ্শন পোৱা, সেইবোৰ পুথিৰ নুৰাত লিখি, ইফিচ,

স্মুৰ্ণা, পৰ্গাম, থুয়াতীৰা, চাৰ্দ্দি, ফিলাদেলফিয়া আৰু লায়দিকেয়া,
এই সাত মণ্ডলীলৈ পঠাই দিবা।” ১২ তাতে মোক কথা কোৱা সেই
কণ্ঠস্বৰ চাবলৈ ঘুৰিলোঁ আৰু তাতে মই সোণৰ সাতটা দীপাধাৰ
দেখিলোঁ। ১৩ আৰু সেই দীপাধাৰ কেইটাৰ মাজত মানুহৰ পুত্ৰৰ
নিচিনা এজনক দেখা পালোঁ; তেওঁৰ বস্ত্ৰ ভৰিলৈকে পিন্ধা আৰু বুকু
সোণৰ টঙালিৰে বন্ধা। ১৪ তেওঁৰ মুৰ আৰু চুলি, বগা মেষৰ নোম আৰু
হিমৰ নিচিনা বগা; তেওঁৰ চকু অগ্নিশিখাৰ তুল্য; ১৫ তেওঁৰ চৰণ
চক্‌চকীয়া পিতলৰ নিচিনা, একেবাৰে অগ্নিশালত মসৃণ কৰা পিতলৰ
নিচিনা আৰু তেওঁৰ কণ্ঠ, ক্ষিপ্ৰ গতিত বাগৰি থকা পানীৰ নিচিনা
আছিল। ১৬ তেওঁৰ সোঁ হাতত সাতোটা তৰা আছিল; তেওঁৰ মুখৰ
পৰা দুধৰীয়া চোকা তৰোৱাল এখন ওলাইছিল৷ তেওঁৰ মুখ মণ্ডল
জিলিকি আছিল, একেবাৰে সূৰ্যৰ পৰা নিৰ্গত হোৱা পোহৰৰ দৰে
শক্তিশালী আছিল। ১৭ যেতিয়া মই তেওঁক দেখিছিলোঁ, তেতিয়া মৰা
মানুহৰ নিচিনা হৈ তেওঁৰ চৰণত পৰিলোঁ। তাতে তেওঁ নিজৰ সোঁ
হাত মোৰ গাত দি ক’লে, “ভয় নকৰিবা৷ মই প্ৰথম আৰু শেষ, ১৮
আৰু জীয়াই থকা জন৷ মই মৃত হ’লো, কিন্তু চোৱা, চিৰকাললৈকে
জীৱন্ত হৈ আছোঁ; মৃত্যু আৰু মৃত লোকৰ চাবিবোৰো মোৰ হাতত
আছে। (aiōn g165, Hadēs g86) ১৯ গতিকে তুমি কি দেখিলা, এতিয়া কি
আছে আৰু ইয়াৰ পাছত এই ঠাইত কি ঘটিব, এই সকলোবোৰ লিখা।
২০ মোৰ সোঁ হাতত যি সাতোটা তৰা দেখিলা, তাৰ গুপুত অৰ্থ এই
যে, সেই সাতোটা তৰাই হৈছে সাত মণ্ডলীৰ দূত আৰু সেই সাতোটা
দীপাধাৰেই হৈছে সাত মণ্ডলী”।

**২** ইফিচত থকা মণ্ডলীৰ দূতলৈ তুমি এই কথা লিখাঃ “এই সকলো
কথা সেই জনৰ, যি জনে নিজৰ সোঁ হাতত সাতোটা তৰা ধাৰণ কৰে;
আৰু যি জনে সাতোটা সোণৰ দীপাধাৰৰ মাজত অহা-যোৱা কৰে,
তেওঁ এই কথা কয়, ২ তোমাৰ কৰ্ম, পৰিশ্ৰম আৰু ধৈৰ্য মই জানো, যে,
তুমি দুষ্ট সকলক সহিব নোৱাৰা; যি সকলে নিজকে পাঁচনি বোলে,
কিন্তু পাঁচনি নহয়, তেওঁলোকক পৰীক্ষা কৰি অসত্য পালা৷ ৩ তোমাৰ
ধৈৰ্যশীলতাৰ স্থায়িত্ব মই জানো, তুমি মোৰ নামৰ কাৰণে গৈ আছা

আৰু ক্লান্ত হোৱা নাই। ৪ কিন্তু তোমাৰ বিৰুদ্ধে মোৰ কথা আছে, তুমি
তোমাৰ প্ৰথম প্ৰেম এৰিলা। ৫ এতেকে তুমি ক'ৰ পৰা পৰিলা, তাক
সোঁৱৰণ কৰা। মন-পালটন কৰা আৰু প্ৰথমে কৰা কাৰ্যকে তুমি কৰা।
যদি মন-পালটন নকৰা, তেনেহলে মই তোমাৰ ওচৰলৈ আহিম আৰু
তোমাৰ দীপাধাৰা নিজ ঠাইৰ পৰা স্থানচ্যুত কৰিম। ৬ কিন্তু এটা গুণ
তোমাৰ আছে নীকলাইতীয়া সকলে যি কৰ্ম কৰে, সেইবোৰক তুমি
ঘৃণা কৰা; ময়ো সেইবোৰ ঘৃণা কৰোঁ। ৭ যদি তোমাৰ কাণ আছে,
তেনেহলে মণ্ডলীবোৰলৈ আত্মা কি কৈছে সেয়া শুনা। যি জনে জয়
কৰে, তেওঁক মই ঈশ্বৰৰ পৰমদেশত থকা জীৱন-বৃক্ষৰ ফল ভোজন
কৰিবলৈ দিম।" ৮ আৰু স্মুৰ্ণাত থকা মণ্ডলীৰ দূতলৈ এই কথা লিখাঃ
যি জন প্ৰথম আৰু শেষ; যি জন মৰিল আৰু পুনৰুত্থিত হ'ল, তেৱেঁ
এইবোৰ কথা কলে, ৯ "মই জানো তোমাৰ ক্লেশভোগ আৰু দৰিদ্ৰতা
(কিন্তু তুমি ধনী) আৰু এই নিন্দা, যিবোৰে কয়, তেওঁলোক ইহুদী (কিন্তু
নহয়, তেওঁলোক চয়তানৰ স্থান)। ১০ তোমাৰ আসন্ন দুখভোগলৈ ভয়
নকৰিবা।চোৱা! তোমালোকৰ পৰীক্ষাৰ অৰ্থে, চয়তানে তোমালোকৰ
কোনো কোনোক বন্দীশালত পেলাবলৈ উদ্যত আছে, তাতে দহ
দিনলৈ তোমালোকৰ ক্লেশ হ'ব৷ তুমি মৃত্যু পৰ্য্যন্ত বিশ্বাসী হৈ থাকা;
তাতে মই জীৱনৰূপ কিৰীটি তোমাক দিম। ১১ যদি তোমাৰ কাণ
আছে, মণ্ডলীবোৰলৈ আত্মাই কি কৈছে শুনা। যি জনে জয় কৰে,
তেওঁৰ দ্বিতীয় মৃত্যুৰ দ্বাৰা হানি নহব"। ১২ পৰ্গামত থকা মণ্ডলীৰ
দূতলৈ এই কথা লিখাঃ "যি জনৰ দুধৰীয়া চোকা তৰোৱাল আছে,
তেওঁ এই কথা কয়, ১৩ মই জানো তুমি ক'ত নিবাস কৰিছা; য'ত
চয়তানৰ সিংহাসন আছে, তুমি তাতে নিবাস কৰিছা৷ তথাপি তুমি
মোৰ নাম নিবিড় ভাবে ধাৰণ কৰিলা আৰু তোমাৰ বিশ্বাসত মোক
অস্বীকাৰ নকৰিলা। তাত তেতিয়া চয়তানে নিবাস কৰিছিল৷ যিদিনা
মোৰ সাক্ষী আন্তিপাক বধ কৰা হৈছিল, সেইদিনা মোৰ বিশ্বাসযোগ্য
আছিলা। ১৪ কিন্তু তোমাৰ বিৰুদ্ধে মোৰ কিছুমান কথা আছে - তুমি
কিছুমান লোকক ৰাখিছা, যি সকলে নিবিড় ভাবে বিলিয়মৰ শিক্ষা ধৰি
আছে; যি জনে ইস্ৰায়েলৰ সন্তান সকলৰ আগত বিঘিনি পেলাবলৈ

বালাকক শিক্ষা দিছিল। সেইদৰে তেওঁলোকে মূৰ্তিৰ সন্মুখত বলিদান
কৰা প্রসাদ খাইছিল আৰু ব্যভিচাৰ কৰিছিল। ১৫ একেদৰে তুমিও
কিছুমান লোকক ৰাখিছা, যি সকলে নীকলাইতীয়া সকলৰ শিক্ষাক
নিবিড় ভাবে ধৰি ৰাখিছে। ১৬ এতেকে মন-পালটন কৰা, যদি নকৰা;
মই তোমাৰ ওচৰত আহিবলৈ পলম নকৰিম আৰু তোমালোকৰ বিৰুদ্ধে
মই মুখৰ পৰা ওলোৱা তৰোৱালেৰে যুদ্ধ কৰিম। ১৭ যদি তোমাৰ
কাণ আছে, মণ্ডলীবোৰলৈ আত্মাই কি কৈছে শুনা। যি জনে জয় কৰে,
তেওঁক মই গুপুত মান্না দিম; আৰু এটি বগা শিলো তেওঁক দিম; সেই
শিলৰ ওপৰত এটি নতুন নামলিখা আছে, গ্রহণ কৰা জনৰ বিনে
আন কোনেও সেই নাম নাজানে"। ১৮ আৰু থুয়াতীৰাত থকা মণ্ডলীৰ
দূতলৈ এই কথা লিখাঃ "যি জনৰ চকু অগ্নিশিখাৰ নিচিনা আৰু চৰণ
ঘঁহি চক্‌চকীয়া কৰা পিতলৰ নিচিনা, সেই জনা ঈশ্বৰৰ পুত্রই এই
কথা কয়, ১৯ তুমি কৰা কৰ্ম - তোমাৰ প্রেম, বিশ্বাস, সেৱা আৰু
তোমাৰ সহিষ্ণু ধৈৰ্যশীলতা মই জানো; সাম্প্রতিক তোমাৰ যি পৰিচৰ্যা,
সেয়াও প্রথম কৰ্মতকৈ অধিক। ২০ তথাপি তোমাৰ বিৰুদ্ধে মোৰ
কথা আছে - যি জনীয়ে নিজকে ভাববাদিনী বুলি কয়, সেই ঈজেবল
মহিলাক তুমি সহন কৰি আছা। সেই মহিলাই মোৰ দাস সকলক
ব্যভিচাৰ কৰিবলৈ শিকালে আৰু মূৰ্তিলৈ বলিদান কৰা প্রসাদ খাবলৈ
দি ভুল পথে পৰিচালনা কৰিলে। ২১ মন-পালটন কৰিবলৈ মই তেওঁক
সময় দিলোঁ, কিন্তু তেওঁ নিজ ব্যভিচাৰৰ পৰা মন পালটাবলৈ ইচ্ছা
নকৰে। ২২ চোৱা, মই তেওঁক ৰোগশয্যাত পেলাম; আৰু যি সকলে
তেওঁৰে সৈতে ব্যভিচাৰ কৰে, তেওঁলোকক মহা-ক্লেশত পেলাম;
যদিহে তেওঁলোকে সেই মহিলাই কৰা কৰ্মৰ পৰা মন-পালটন নকৰে।
২৩ মৃত্যুৰ দ্বাৰাই মই তেওঁৰ সন্তান সকলক আঘাত কৰিম; তাতে মই
যে মন আৰু হৃদয়ৰ অনুসন্ধানকাৰী, সেই বিষয়ে সকলো মণ্ডলীয়ে
জানিব; আৰু তোমালোকৰ প্রত্যেক জনকো নিজ নিজ কৰ্মৰ দৰে
প্রতিফল দিম। ২৪ কিন্তু থুয়াতীৰাত অৱশিষ্ট থকা তোমালোকৰ যি
সকলে এই শিক্ষা গ্রহণ কৰা নাই আৰু কিছুমানে কোৱা চয়তানৰ
গভীৰ বিষয়বোৰক তোমালোকৰ যি সকলে নাজানা, তেওঁলোকক মই

কওঁ- তোমালোকৰ ওপৰত মই আন কোনো ভাৰ নিদিওঁ, ২৫ কিন্তু
তোমালোকৰ যি আছে, মই নাহোঁমানে, তাক ধৰি ৰাখা। ২৬ যি জনে
জয় কৰি শেষলৈকে মোৰ কৰ্মবোৰ পালন কৰে, মই যেনেকৈ পিতৃৰ
পৰা পালোঁ, সেইদৰে তেওঁক জাতিবোৰৰ ওপৰত অধিকাৰ দিম;
২৭ তাতে কুমাৰৰ পাত্ৰ যেনেকৈ ডোখৰ ডোখৰ হয়, তেনেকৈ তেওঁ
লোহাৰ দণ্ডেৰে তেওঁলোকক ভাঙি টুকুৰা-টুকুৰ কৰিব৷ ২৮ আৰু মই
যি দৰে পিতৃৰ পৰা গ্ৰহণ কৰিলোঁ, সেইদৰে মই তেওঁক প্ৰভাতীয়
তৰাদিম। ২৯ মণ্ডলীবোৰলৈ আত্মাই যি কথা কৈছে, যাৰ কাণ আছে,
তেওঁ তাক শুনক”।

৩ চাৰ্দ্দি থকা মণ্ডলীৰ দূতলৈ এই কথা লিখাঃ “যি জনে ঈশ্বৰৰ সাত
আত্মা আৰু সাতোটা তৰা ধাৰণ কৰি আছে, তেওঁ এই কথা কয়,
তুমি কৰা কৰ্ম মই জানো, তুমি যে জীয়াই আছা, তাত এটা খ্যাতি
আছে; কিন্তু তুমি মৃত। ২ জাগ্ৰত হোৱা আৰু যি আছে বলৱান কৰা,
কিন্তু তুমি চতুৰ্দিশে মৰা; কাৰণ মোৰ ঈশ্বৰৰ দৃষ্টিত তোমাৰ কোনো
কাৰ্য মই পূৰ্ণ সমাপ্ত নাপালোঁ। ৩ এতেকে তুমি কি গ্ৰহণ কৰিলা আৰু
শুনিলা, সেইবোৰ সোঁৱৰণ কৰা, পালন কৰা আৰু মন পালটোৱা।
কাৰণ তুমি যদি জাগ্ৰত নোহোৱা, তেনেহলে মই চোৰৰ নিচিনাকৈ
আহিম, আৰু কোন সময়ত মই তোমাৰ বিৰুদ্ধে আহিম, সেই বিষয়ে
তুমি নাজানিবা। ৪ কিন্তু যি সকলে নিজৰ কাপোৰ মলিন নকৰিলে,
এনে কিছুমান লোকৰ নাম চাৰ্দ্দিত আছে। তেওঁলোকে মোৰ সৈতে
অহা-যোৱা কৰিব, তেওঁৰ কাপোৰ বগা আৰু তেওঁলোক মোৰ যোগ্য।
৫ যি জনে জয় কৰে তেৱোঁ সেইদৰে বগা বস্ত্ৰেৰে বিভূষিত হ’ব; আৰু
মই জীৱন পুস্তকৰ পৰা তেওঁৰ নাম মোহাৰি নুগুচাম; মোৰ পিতৃৰ
সন্মুখত আৰু দূত সকলৰ সন্মুখত মই তেওঁৰ নাম স্বীকাৰ কৰিম। ৬
যদি তোমাৰ কাণ আছে, মণ্ডলী সমূহলৈ আত্মাই কোৱা কথা শুনা”। ৭
ফিলাদেলফিয়াত থকা মণ্ডলীৰ দূতলৈ এই কথা লিখাঃ “যি জন পবিত্ৰ
আৰু সত্য, তেওঁ এই কথা কয় যি জনে দায়ুদৰ চাবি ধাৰণ কৰি আছে,
যি জনে মেলিলে কোনেও বন্ধ নকৰিব আৰু বন্ধ কৰিলে কোনেও
নেমেলিব। ৮ তোমাৰ কৰ্ম মই জানো৷ চোৱা, যি দুৱাৰ কোনেও বন্ধ

কৰিব নোৱাৰে, এনে এখন মেলা দুৱাৰ তোমাৰ সন্মুখত দিলোঁ৷ মই
জানো যে, তোমাৰ অলপ শক্তি থকাতো মোৰ বাক্য পালন কৰি, মোৰ
নাম অস্বীকাৰ নকৰিলা। ৯ চোৱা! চয়তানৰ সমাজৰ যি লোক সকলে
নিজকে ইহুদী বোলে, কিন্তু ইহুদী নহয়, বৰং মিছাকৈয়ে কয়; এনেকুৱা
মানুহক উপস্থিত কৰাই মই তোমাৰ চৰণত প্ৰণিপাত কৰাম, তাতে মই
যে তোমাক প্ৰেম কৰিলোঁ, সেই বিষয়ে তেওঁলোকে জানিব। ১০ তুমি
মোৰ ধৈৰ্যৰ কথা সহন কৰি পালন কৰাত, যি পৰীক্ষাৰ কাল পৃথিৱী
নিবাসী সকলক পৰীক্ষা কৰিবৰ কাৰণে, গোটেই জগতৰ ওপৰলৈ
আহিবলৈ উদ্যত আছে, সেই কালৰ পৰা ময়ো তোমাক ৰক্ষা কৰিম।
১১ মই বেগাই গৈ আছোঁ; তোমাৰ কিৰীটি যেন কোনেও নলয়, এই
কাৰণে তোমাৰ যি আছে, সেইখিনিকে ধৰি ৰাখা। ১২ যি জনে জয়
কৰে, তেওঁক মোৰ ঈশ্বৰৰ মন্দিৰত থকা স্তম্ভ স্বৰূপ কৰিম, তেওঁ
তাৰ পৰা কেতিয়াও বাহিৰলৈ নাযাব৷ তেওঁৰ ওপৰত মোৰ ঈশ্বৰৰ
নাম লিখিম আৰু মোৰ ঈশ্বৰৰ নগৰৰ (যি নতুন যিৰূচালেম, স্বৰ্গৰ
মোৰ ঈশ্বৰৰ ওচৰৰ পৰা নামিব), নাম আৰু নিজৰ নতুন নাম লিখিম।
১৩ যি জনৰ কাণ আছে, মণ্ডলীবোৰলৈ আত্মাই কোৱা কথা তেওঁ
শুনক"। ১৪ আৰু লায়দিকেয়াত থকা মণ্ডলীৰ দূতলৈ এই কথা লিখাঃ
"যি জন আমেন, যি জন বিশ্বাসী আৰু সত্য সাক্ষী, যি জন ঈশ্বৰৰ
সৃষ্টিৰ আদি, তেওঁ এই কথা কয়, ১৫ মই তুমি কৰা কৰ্ম জানো, তুমি
চেঁচা নোহোৱা, তপতো নোহোৱা। তুমি হয় চেঁচা, নহয় তপত হোৱা
ভাল আছিল। ১৬ এইদৰে তপতো নোহোৱা, চেঁচাও নোহোৱা, কেৱল
কুহুমীয়া হোৱাৰ বাবে মই নিজ মুখৰ পৰা তোমাক বঁতিয়াই পেলাবলৈ
উদ্যত হৈ আছোঁ। ১৭ কাৰণ তুমি কৈছা, মই ধনী, ধন সাঁচিলো, মোৰ
একোৰে অভাৱ নাই; কিন্তু তুমিয়েই যে দয়া নোপোৱা, দিনহীন,
দৰিদ্ৰ, অন্ধ আৰু উলঙ্গ, তাক নাজানা। ১৮ এতেকে মই তোমাক এই
পৰামৰ্শ দিছোঁ যে, তুমি ধনী হ'বলৈ, জুইত খপা সোণ আৰু তোমাৰ
উলঙ্গতাৰ লাজ প্ৰকাশিত নহ'বলৈ, বস্ত্ৰান্বিত হ'বলৈ বগা বস্ত্ৰ আৰু দৃষ্টি
পাবৰ কাৰণে, চকুত সানিবলৈ চকুৰ মলম, এই সকলোকে মোৰ পৰা
কিনা৷ ১৯ যি সকলক মই প্ৰেম কৰোঁ, সেই সকলোৱে কেনেকৈ জীৱন-

ধাৰণ কৰা উচিত, তাৰ বাবে মই তেওঁলোকক অনুযোগ কৰোঁ আৰু
শাস্তি দিওঁ। এই কাৰণে তুমি উদ্যোগী হৈ মন পালটোৱা। ২০ চোৱা,
মই দুৱাৰত থিয় হৈ টুকুৰিয়াই থাকোঁ৷ কোনোৱে যদি মোৰ মাত শুনি
দুৱাৰ মেলি দিয়ে, তেনেহলে মই তেওঁৰ গৃহলৈ আহিম আৰু তেওঁৰ
সৈতে মই ভোজন কৰিম, আৰু তেৰোঁ মোৰে সৈতে ভোজন কৰিব।
২১ মই নিজে যেনেকৈ জয় কৰিমোৰ পিতৃৰ সৈতে তেওঁৰ সিংহাসনত
বহিলোঁ, তেনেকৈ যি জনে জয় কৰে, তেওঁকো মোৰে সৈতে মোৰ
সিংহাসনত মই বহিবলৈ দিম। ২২ যি জনৰ কাণ আছে, মণ্ডলীবোৰলৈ
আত্মাই কোৱা কথা তেওঁ শুনক”।

**4** সেই সকলোৰ পাছত মই চাই দেখিলোঁ, স্বৰ্গত এখন দুৱাৰ মেলা
আছে আৰু মোৰে সৈতে কথা হোৱা, তূৰীৰ মাতৰ দৰে, যি মাত
মই প্ৰথমে শুনিছিলোঁ, তেনে মাতেৰে কোনোবাই ক’লে, “ইয়ালৈ
উঠি আহা; ইয়াৰ পাছত যি যি ঘটিব লাগে, সেইবোৰ মই তোমাক
দেখুৱাম”। ২ তেতিয়াই মই আত্মাত আছিলোঁ আৰু মই দেখা পালোঁ,
স্বৰ্গত এখন সিংহাসন স্থাপন কৰা আছিল, তাতে কোনো এজন লোক
বহি আছিল৷ ৩ সেই বহি থকা জন দেখিবলৈ সুৰ্য্যকান্ত আৰু চান্দ্ৰীয়া
মণিৰ নিচিনা৷ সেই সিংহাসনৰ চাৰিওফালে এখন ৰামধনু আছিল,
সেই ৰামধনু খন দেখিবলৈ মৰকত মণিৰ নিচিনা আছিল৷ ৪ সেই
সিংহাসন খনৰ চাৰিওফালে চৌবিশ খন সিংহাসন আছিল; সেই
সিংহাসনবোৰৰ ওপৰত বগা বস্ত্ৰ আৰু মূৰত সোণৰ কিৰীটি পিন্ধা
চৌবিশ জন পৰিচাৰক বহি আছিল। ৫ সেই সিংহাসনৰ পৰা বিজুলীৰ
দৰে মাত আৰু মেঘ-গৰ্জ্জন ওলাইছিল; সেই সিংহাসনৰ আগত জ্বলি
থকা অগ্নিৰ সাতোটা প্ৰদীপ আছিল, আৰু সেইবোৰেই আছিল ঈশ্বৰৰ
সাত আত্মা৷ ৬ সেই সিংহাসনৰ সন্মুখত এখন স্ফটিকৰ দৰে স্বচ্ছ সমুদ্ৰ
আছিল। সেই সিংহাসনৰ চাৰিওফালে চাৰি প্ৰাণী আছিল, তেওঁলোকৰ
আগফাল আৰু পাছফাল চকুৰেই পৰিপূৰ্ণ আছিল। ৭ প্ৰথম প্ৰাণী সিংহৰ
নিচিনা, দ্বিতীয় প্ৰাণী দামুৰিৰ নিচিনা, তৃতীয় প্ৰাণী মানুহৰ নিচিনা
মুখ থকা আৰু চতুৰ্থ প্ৰাণী উড়ি ফুৰা ঈগল পক্ষীৰ নিচিনা আছিল। ৮
সেই চাৰি প্ৰাণীৰ প্ৰত্যেকৰ ছয় খনকৈ ডেউকা আৰু সেই প্ৰাণীবোৰৰ

বাহিৰে ভিতৰে চকুৰেই পৰিপূৰ্ণ আছিল৷ তেওঁলোকে অবিৰাম দিনে-
ৰাতিয়ে এই বুলি কৈ থাকে, ‘পবিত্ৰ, পবিত্ৰ, পবিত্ৰ প্ৰভু পৰমেশ্বৰ,
সকলোৰে ওপৰত শাসনকৰ্তা, যি জন আছিল, এতিয়াও আছে আৰু
আহিবলগীয়া জন৷’ ৯ যেতিয়া সেই প্ৰাণীবোৰে চিৰকাল সিংহাসনত
বহা সেই জীৱিত জনৰ মহিমা, সমাদৰ আৰু ধন্যবাদ কৰিব, **(aiōn
g165)** ১০ তেতিয়া সেই চৌবিশ জন পৰিচাৰকে সিংহাসনত বহা জনৰ
আগত দণ্ডৱৎ হৈ চিৰকাল জীৱিত জনৰ আগত প্ৰণিপাত কৰি, সেই
সিংহাসনৰ আগত তেওঁলোকৰ কিৰীটিবোৰ পেলাই ক’ব, **(aiōn g165)**
১১ “হে আমাৰ প্ৰভু, আমাৰ ঈশ্বৰ, তুমিয়েই মহিমা, সমাদৰ আৰু
পৰাক্ৰম পোৱাৰ যোগ্য; কিয়নো তুমিয়েই সকলোকে স্ৰজিলা, তোমাৰ
ইচ্ছাৰ কাৰণে সকলোবোৰ আছে, আৰু সকলোবোৰ সৃষ্ট হ’ল।”

**৫** তেতিয়া মই দেখিলোঁ, সেই জনৰ সোঁ হাতে সিংহাসনত এজন বহি
আছে, এটা পুথিৰ নুৰা আগফালে আৰু পাছফালে লিখা আৰু সাতোটা
ছাবেৰে ছাব মৰা আছিল৷ ২ মই এজন প্ৰভাৱশালী দূত দেখিলোঁ; তেওঁ
বৰ মাতেৰে এই কথা ঘোষণা কৰিলে, “এনে কোন ব্যক্তি আছে যি
জনে এই নুৰাটো খুলিব আৰু তাৰ ছাববোৰ মেলিবৰ বাবে উপযুক্ত”?
৩ স্বৰ্গত বা পৃথিৱীত বা পৃথিৱীৰ তলত থকা কোনেও সেই নুৰা মেলিব
বা সেই পুথি খন পঢ়িব নোৱাৰিলে। ৪ তেতিয়া মই অনেক ক্ৰন্দন
কৰিলোঁ, কাৰণ সেই নুৰাটো মেলি পঢ়িবলৈ কোনো এজন যোগ্য
ব্যক্তি পোৱা নগ’ল। ৫ কিন্তু সেই পৰিচাৰক সকলৰ এজনে মোক
ক’লে, “তুমি ক্ৰন্দন নকৰিবা; চোৱা! যি জন যিহূদা ফৈদৰ সিংহ আৰু
দায়ুদৰ মূলস্বৰূপ, তেওঁ জয়যুক্ত হৈ সেই নুৰা আৰু তাৰ সাতোটা ছাব
মেলিবলৈ সমৰ্থ হ’ল”। ৬ তেতিয়া মই সেই সিংহাসনৰ আৰু চাৰি
জীৱিত প্ৰাণীৰ মাজত আৰু সেই পৰিচাৰক সকলৰ মাজত, হত হোৱাৰ
নিচিনা মেৰ-পোৱালি এটা থিয় হৈ থকা দেখিলোঁ; তেওঁৰ সাতোটা শিং
আৰু সাতোটা চকু আছিল - এইবোৰ পৃথিৱীৰ সকলো ঠাইতে পঠোৱা
সাতোটা ঈশ্বৰৰ আত্মা। ৭ তেওঁ আহি সিংহাসনত বহি থকা জনৰ
সোঁ হাতৰ পৰা সেই নুৰাটো ল’লে৷ ৮ যেতিয়া তেওঁ সেই নুৰাটো
ল’লে তেতিয়া জীৱিত প্ৰাণী চাৰিটা আৰু সেই চৌবিশ জন পৰিচাৰকে

নিজে মেৰ-পোৱালি জনৰ সন্মুখলৈ আহি উবুৰি হৈ পৰিল৷ তেখেত
সকলৰ হাতত গাইপতি বীণা আৰু পবিত্ৰ লোক সকলৰ প্ৰাৰ্থনা স্বৰূপ
সুগন্ধি ধূপেৰে পৰিপূৰ্ণ সোণৰ বাটি আছিল। ৯ আৰু তেখেত সকলে
এটি নতুন গীত গালে: “নুৰাটো ল’বলৈ আৰু তাৰ ছাব মেলিবলৈ
আপুনি যোগ্য৷ কিয়নো আপুনি হত হ’ল আৰু আপোনাৰ তেজৰ সৈতে
আপুনি ঈশ্বৰৰ কাৰণে সেই সকলো জাতিবোৰৰ মাজৰ পৰা প্ৰতিটো
ফৈদ, ভাষা, মানুহ আৰু জাতিক কিনিলে। ১০ আৰু আমাৰ ঈশ্বৰৰ
সেৱাৰ উদ্দেশ্যে তেওঁলোকক ৰাজ্য স্বৰূপ আৰু পুৰোহিত পাতিলে,
তাতে তেওঁলোকে পৃথিৱীৰ ওপৰত ৰাজত্ব কৰিব”। ১১ তেতিয়া মই
চাওতে সেই সিংহাসনৰ চাৰিওফালে অনেক স্বৰ্গৰ দূতৰ মাত শুনিলোঁ;
তেওঁলোকৰ সংখ্যা 20,00,00,000 আছিল; তেওঁলোকৰ সৈতে সেই
জীৱিত প্ৰাণী চাৰিটা আৰু পৰিচাৰক সকলো আছিল৷ ১২ তেওঁলোক
সকলোৱে বৰ মাতেৰে ক’লে, “হত হোৱা যি মেৰ-পোৱালি, তেৱেঁই
পৰাক্ৰমী, ধন, জ্ঞান, শক্তি, সমাদৰ, মহিমা আৰু প্ৰশংসা পোৱাৰ
যোগ্য”। ১৩ আৰু স্বৰ্গত, পৃথিৱীত, পৃথিৱীৰ তলত আৰু সাগৰত যি
সকলো সৃষ্ট বস্তু আছে সেই সকলোৱে কোৱা শুনিলোঁ, “সিংহাসনত
বহি থকা জন আৰু মেৰ-পোৱালি জনৰ প্ৰশংসা, মৰ্যদা, মহিমা আৰু
পৰাক্ৰম চিৰকাল হওক”। **(aiōn g165)** ১৪ আৰু সেই জীৱিত প্ৰাণী
চাৰিটাই ক’লে, “আমেন”! আৰু সেই পৰিচাৰক সকলে সমৰ্পিত হৈ
মাটিত পৰি আৰাধনা কৰিলে’।

**৬** পাছত মই সেই মেৰ-পোৱালি জনে সাতোটা ছাব মেলা দেখিলোঁ
আৰু তেতিয়া সেই চাৰি জীৱিত প্ৰাণীৰ কোনো এটাই মেঘৰ নিচিনা
গৰজি উঠা মাতেৰে কোৱা শুনিলোঁ, “আহা”! ২ তেতিয়া মই চাওতে
সেই ঠাইত এটা বগা ঘোঁৰা দেখিলোঁ আৰু তাৰ অশ্বাৰোহী জনৰ হাতত
এখন ধনু আছিল, আৰু তেওঁক এটা কিৰীটি দিয়া হ’ল; তাতে তেওঁ
জয় লাভ কৰোঁতাৰ দৰে জয় কৰিবলৈ ওলাই গ’ল। ৩ যেতিয়া সেই
মেৰ-পোৱালিয়ে দ্বিতীয় ছাবটো মেলিলে, তেতিয়া মই দ্বিতীয় জীৱিত
প্ৰাণীটোক কোৱা শুনিলোঁ, “আহা”! ৪ তেতিয়া আৰু এটা ঘোঁৰা ওলাল,
সি জুইৰ দৰে ৰঙা আৰু মানুহবোৰে পৰস্পৰে যাতে বধ কৰিব সেই

কাৰণে তাত উঠা জনক পৃথিৱীৰ পৰা শান্তি দূৰ কৰিবলৈ দিয়া হ'ল;
এই অশ্বাৰোহী জনক এখন বৃহৎ আকাৰৰ তৰোৱাল দিয়া হ'ল। ৫
যেতিয়া তেওঁ তৃতীয় ছাবটো মেলিলে, তেতিয়া তৃতীয় প্ৰাণীটোক এই
বুলি কোৱা শুনিলোঁ "আহা"! তেতিয়া মই এটা ক'লা ঘোঁৰা দেখিলোঁ;
আৰু তাত উঠা জনৰ হাতত এখন পাল্লা আছিল। ৬ পাছত সেই চাৰি
জীৱিত প্ৰাণীৰ মাজৰ পৰা ওলোৱা মাতৰ দৰে, এই কথা মই শুনিলো,
বোলে, "এসেৰ ঘেঁহু ধানৰ মূল্য এক আধলি; তিনি সেৰ যৱ ধানৰ
মূল্য এক আধলি; কিন্তু তেল আৰু দ্ৰাক্ষাৰসৰ হানি নকৰিবা"। ৭
যেতিয়া তেওঁ চতুৰ্থ ছাবটো মেলিলে, তেতিয়া চতুৰ্থ প্ৰাণীটোক এই
বুলি কোৱা শুনিলোঁ, "আহা"! ৮ তেতিয়া মই এটা অনুজ্জ্বল বৰণৰ
ঘোঁৰা দেখিলোঁ; তাৰ ওপৰত উঠা জনৰ নাম মৃত্যু; আৰু পৰলোক
তাৰ পাছে পাছে আহি আছিল। তেওঁলোকক দিয়া তৰোৱালেৰে
আকাল, মৃত্যু আৰু পৃথিৱীৰ বনৰীয়া জন্তুৰ দ্বাৰাই বধ কৰিবলৈ পৃথিৱীৰ
চাৰিভাগৰ এভাগৰ ওপৰত সেই উভয়ক ক্ষমতা দিয়া হ'ল। **(Hadēs
g86)** ৯ যেতিয়া মেৰ-পোৱালিটোৱে পঞ্চম ছাব মেলিলে, তেতিয়া
সেই স্বৰ্গীয় বেদিৰ তলত, যি লোক সকল ঈশ্বৰৰ বাক্য আৰু নিজে
পোৱা সাক্ষ্যৰ কাৰণে হত হৈছিল, তেওঁলোকৰ জীৱাত্মা দেখিলোঁ। ১০
তেওঁলোকে বৰ মাতেৰে ৰিঙিয়াই ক'লে, "হে সকলোৰে শাসনকৰ্তা,
পবিত্ৰ আৰু সত্য প্ৰভু, সোধ-বিচাৰ কৰিবলৈ আৰু পৃথিৱীত বাস কৰা
সকলক আমাৰ ৰক্তপাতৰ প্ৰতিফল দিবলৈ, তুমি কিমান কাল পলম
কৰিবা?" ১১ তেতিয়া তেওঁলোকৰ প্ৰত্যেক জনক বগা বস্ত্ৰ দিয়া হ'ল
আৰু তেওঁলোকক এই কথা কোৱা হ'ল যে, যেতিয়ালৈ তেওঁলোকৰ
সহদাস, ভাই আৰু ভনী সকলক তেওঁলোকৰ নিচিনাকৈ বধ কৰা
নহ'ব, আৰু সেই সকলো সংখ্যা পুৰ নোহোৱালৈকে, তেওঁলোকে অলপ
কাল ক্ষান্ত হব লাগিব। ১২ পাছত তেওঁ যেতিয়া ষষ্ঠ ছাবটো মেলিলে,
মই চাই দেখিলোঁ যে মহা-ভুমিকম্প হবলৈ ধৰিলে; আৰু নোমৰ চট
কাপোৰৰ নিচিনা সুৰ্য্য ক'লা হ'ল; চন্দ্ৰ গোটেইটো তেজৰ নিচিনা হ'ল।
১৩ আৰু বৰ বতাহে লৰোৱা ডিমৰু গছৰ অপঁইতা গুটি সৰি পৰাৰ
দৰে আকাশৰ তৰাবোৰ পৃথিৱীত পৰিবলৈ ধৰিলে৷ ১৪ আকাশমণ্ডল

নুৰিওৱা পুথিৰ দৰে লুপ্ত হ'ল; আটাই পৰ্বত আৰু দ্বীপবোৰক নিজ নিজ
ঠাইৰ পৰা লৰোৱা হ'ল। ১৫ তেতিয়া পৃথিৱীৰ সকলো ৰজা, প্ৰধান
লোক, সেনাপতি, ধনৱন্ত আৰু বলৱন্ত, দাস আৰু স্বাধীন লোক সকলে
গুহাত আৰু পৰ্বতৰ শিলৰ মাজত নিজক লুকুৱাই ৰাখিলে৷ ১৬ তাতে
সেই পৰ্বত আৰু শিলবোৰক তেওঁলোকে ক'লে, "আমাৰ ওপৰত পৰি,
সেই সিংহাসনত বহি থকা জনৰ সন্মুখৰ পৰা আৰু মেৰ-পোৱালি জনৰ
ক্ৰোধৰ পৰা আমাক লুকুৱাই ৰাখা; ১৭ কিয়নো তেওঁলোকৰ ক্ৰোধৰ
সেই মহা-দিন আহিল আৰু সেইদিন কোনে সহিব পাৰে?"

**৭** তাৰ পাছত পৃথিৱী বা সাগৰ বা কোনো গছৰ ওপৰত বতাহ যেন
নবলায়, এই কাৰণে পৃথিৱীৰ চাৰি বায়ু ধৰি, পৃথিৱীৰ চাৰি চুকত
থিয় হৈ থকা চাৰি জন স্বৰ্গৰ দূত দেখিলোঁ। ২ পাছত আৰু এজন
দূতক, জীৱনময় ঈশ্বৰৰ ছাব লৈ, পূব দিশৰ পৰা উঠি অহা দেখিলোঁ৷
তেওঁ বৰ মাতেৰে ৰিঙিয়াই, পৃথিৱী আৰু সাগৰক অনিষ্ট কৰিবলৈ
ক্ষমতা পোৱা সেই চাৰি জন দূতক ক'লে, ৩ "আমি নিজ ঈশ্বৰৰ দাস
সকলৰ কপালত ছাব নামাৰোঁ মানে, তোমালোকে পৃথিৱী বা সাগৰ বা
গছ-গছনিবোৰক অনিষ্ট নকৰিবা৷" ৪ পাছত সেই ছাব মৰা সকলৰ
সংখ্যা শুনিলো: ইস্ৰায়েলৰ সকলো ফৈদৰ মুঠে এক লাখ চৌৰাল্লিশ
হাজাৰ ছাব মৰা হ'ল: ৫ 'যিহূদা ফৈদৰ ছাব মৰা বাৰ হাজাৰ, ৰুবেনৰ
ফৈদৰ মৰা বাৰ হাজাৰ, গাদৰ ফৈদৰ বাৰ হাজাৰ, ৬ আচেৰ ফৈদৰ
বাৰ হাজাৰ, নপ্তালী ফৈদৰ বাৰ হাজাৰ, মনচি ফৈদৰ বাৰ হাজাৰ, ৭
চিমিয়োন ফৈদৰ বাৰ হাজাৰ, লেবী ফৈদৰ বাৰ হাজাৰ, ইচাখৰ ফৈদৰ
বাৰ হাজাৰ, ৮ জবূলূন ফৈদৰ বাৰ হাজাৰ, যোচেফ ফৈদৰ বাৰ হাজাৰ,
বিন্যামীন ফৈদৰ ছাব মৰা বাৰ হাজাৰ'। ৯ এইবোৰৰ পাছত মই চাই
দেখিলোঁ যে, কোনেও গণিব নোৱোৰা এক বৰ লোক সকল, য'ত
সকলো জাতি, ফৈদ, লোক আৰু ভাষাৰ, বগা বস্ত্ৰ পিন্ধি আৰু হাতত
খেজুৰ পাত লৈ সেই সিংহাসন আৰু মেৰ-পোৱালি জনৰ আগত থিয় হৈ
আছিল; ১০ আৰু তেওঁলোকে বৰ মাতেৰে ৰিঙিয়াই ক'লে, "পৰিত্ৰাণ
সিংহাসনত বহি থকা আমাৰ ঈশ্বৰৰ আৰু মেৰ-পোৱালিৰ।" ১১ আৰু
সকলো স্বৰ্গৰ দূতে সেই সিংহাসনৰ পৰিচাৰক সকলৰ আৰু চাৰি

জীৱিত প্ৰাণীৰ চাৰিওফালে থিয় হৈ আছিল; আৰু তেতিয়া তেওঁলোকে
সিংহাসনৰ আগত সমৰ্পণ কৰি মাটিত মুৰ দোৱাই, ঈশ্বৰক আৰাধনা
কৰিলে, ১২ আৰু ক'লে, "আমেন! প্ৰশংসা, মহিমা, জ্ঞান, ধন্যবাদ,
সমাদৰ, পৰাক্ৰম আৰু শক্তি চিৰকাল আমাৰ ঈশ্বৰৰ প্ৰতি হওক!
আমেন৷" (aiōn g165) ১৩ তেতিয়া সেই পৰিচাৰক সকলৰ এজনে মোক
সুধিলে, "বগা বস্ত্ৰ পিন্ধা এওঁলোক কোন আৰু ক'ৰ পৰা আহিল?" ১৪
তেতিয়া মই তেওঁক ক'লো, "হে মোৰ প্ৰভু, আপুনি জানে"। তেতিয়া
তেওঁ মোক ক'লে, "এওঁলোক সেই মহা-ক্লেশৰ পৰা অহা লোক;
এওঁলোকে মেৰ-পোৱালিৰ তেজেৰে নিজ বস্ত্ৰ ধুই বগা কৰিলে। ১৫
এই কাৰণে, এওঁলোকে ঈশ্বৰৰ সিংহাসনৰ আগত আছে, আৰু দিনে-
ৰাতিয়ে তেওঁৰ মন্দিৰত তেওঁৰ আৰাধনা কৰে৷ আৰু সিংহাসনত বহা
জনাই এওঁলোকৰ ওপৰত নিজ তম্বু তৰিব। ১৬ এওঁলোকৰ আৰু
কেতিয়াও ভোক-পিয়াহ নালাগিব; এওঁলোকৰ গাত ৰ'দ বা কোনো
পোৰা তাপ নপৰিব৷ ১৭ কিয়নো সিংহাসনৰ মাজত থকা মেৰ-পোৱালি
জনে এওঁলোকক চৰাব, আৰু জীৱনময় জলৰ ভুমুকৰ ওচৰলৈ নিব,
আৰু ঈশ্বৰে এওঁলোকৰ চকুৰ পৰা আটাই চকুলো মচি গুচাব।"

৮ পাছত তেওঁ সপ্তম ছাব মেলোতে, স্বৰ্গত প্ৰায় আধা ঘণ্টামান
নিস্তব্ধতাৰে পৰিপূৰ্ণ হ'ল। ২ আৰু ঈশ্বৰৰ আগত থিয় হৈ থকা যি সাত
জন স্বৰ্গৰ দূতক দেখিলোঁ; তেওঁলোকক সাতোটা তূৰী দিয়া হ'ল। ৩
পাছত সোণৰ ধূপবাতি লোৱা আন এজন দূত আহি বেদিৰ ওচৰত
উপস্থিত হ'ল; আৰু সিংহাসনৰ আগত থকা সোণৰ বেদিৰ ওপৰত
পবিত্ৰ লোক সকলে প্ৰাৰ্থনাত জ্বলাবলৈ, তেওঁক ভালেমান ধূপ দিয়া
হ'ল। ৪ তাতে পবিত্ৰ লোক সকলৰ প্ৰাৰ্থনাৰে সৈতে দূতৰ হাতৰ পৰা
ধূপৰ ধোঁৱা ঈশ্বৰৰ সন্মুখলৈ উঠিল। ৫ পাছে দূতে ধূপবাতি লৈ, তাত
বেদিৰ পৰা জুই ভৰাই ললে৷ তেতিয়া তেওঁ এইবোৰ পৃথিৱীলৈ পেলাই
দিলে, তাতে মেঘ-গৰ্জ্জন, গাজনি, বিজুলী আৰু ভুমিকম্প হ'ল। ৬
পাছত সাতোটা তুৰী লোৱা এই সাত জন স্বৰ্গৰ দূতে তূৰী বজাবলৈ
নিজক যুগুত কৰিলে। ৭ পাছত প্ৰথম জন স্বৰ্গৰ দূতে বজাওঁতে,
তেজ মিহলি কৰা শিল আৰু জুই উপস্থিত হ'ল৷ সেইবোৰক পৃথিৱীলৈ

পেলোৱা হ'ল; তাতে পৃথিৱীৰ তিনি ভাগৰ এভাগ পোৰা হ'ল, গছৰো
তিনি ভাগৰ এভাগ পোৰা হ'ল আৰু সকলো কেচা তৃণো পোৰা হ'ল।
৮ পাছত দ্বিতীয় দূতে বজাওঁতে অগ্নিৰে জ্বলি থকা মহা-পৰ্ব্বতৰ নিচিনা
কিবা এটা সাগৰত পেলোৱা হ'ল৷ তাতে সাগৰৰ তিনি ভাগৰ এভাগ
তেজ হ'ল ৯ আৰু সাগৰত থকা সৃষ্ট বস্তুৰ ভিতৰৰ জীৱ-জন্তু তিনি
ভাগৰ এভাগ মৰিল, জাহাজবোৰৰো তিনি ভাগৰ এভাগ নষ্ট হ'ল।
১০ পাছত তৃতীয় দূতে বজাওঁতে, আৰিয়াৰ নিচিনা জ্বলি থকা এটা
বৰ তৰা আকাশৰ পৰা খহি, নদীৰ তিনি ভাগৰ এভাগত আৰু জলৰ
ভুমুকবোৰত পৰিল। ১১ সেই তৰাৰ নাম নাগদানা৷ তাতে জলৰ তিনি
ভাগৰ এভাগ নাগদানা হ'ল আৰু পানী তিতা হোৱাত সেই পানীৰ
কাৰণে অনেক মানুহ মৰিল। ১২ পাছত চতুৰ্থ দূতে বজাওঁতে, সুৰ্য্যৰ
তিনি ভাগৰ এভাগ, চন্দ্ৰৰ তিনি ভাগৰ এভাগ আৰু তৰাবোৰৰো তিনি
ভাগৰ এভাগ যেন আন্ধাৰ হ'ল; আৰু দিনৰ তিনি ভাগৰ এভাগ পোহৰ
নাইকিয়া হয় আৰু ৰাতিৰো সেইৰূপ হয়, এই কাৰণে সেইবোৰৰ
প্ৰত্যেকৰ তিনি ভাগৰ এভাগ আঘাত প্ৰাপ্ত হ'ল। ১৩ পাছত মই চাওতে
চাওতে, এটা ঈগল পক্ষীয়ে আকাশৰ মাজত উৰি উৰি বৰ মাতেৰে
এই কথা কোৱা শুনিলোঁ, "যি তিনি জন দূতে তূৰী বজাবলৈ উদ্যত
আছে, তেওঁলোকৰ সেই অৱশিষ্ট তূৰী-ধ্বনীত পৃথিৱীত বাস কৰা
লোক সকলৰ সন্তাপ, সন্তাপ, সন্তাপ হ'ব"।

**৯** তেতিয়া পঞ্চম দূতে তেওঁৰ তূৰী বজালো৷ আকাশৰ পৰা পৃথিৱীলৈ
পৰা এটা তৰা দেখিবলৈ পালোঁ৷ অগাধ ঠাইৰ কুণ্ডৰ চাবি তেওঁক দিয়া
হ'ল। **(Abyssos g12)** ২ তাতে তেওঁ সেই অগাধ ঠাইৰ কুণ্ড মেলোতে,
কুণ্ডৰ পৰা বৰ অগ্নিকুণ্ডৰ ধুঁৱাৰ নিচিনাকৈ ধুঁৱা উঠিল; তাতে সেই
কুণ্ডৰ ধুঁৱাৰে সূৰ্য্য আৰু আকাশ অন্ধকাৰময় হ'ল। **(Abyssos g12)** ৩
সেই ধুঁৱাৰ পৰা কচুৱা ফৰিংবোৰ পৃথিৱীত ওলাল; আৰু সেইবোৰক,
পৃথিৱীৰ কেঁকোৰা-বিছাৰ ক্ষমতাৰ নিচিনা ক্ষমতা দিয়া হ'ল। ৪ আৰু
পৃথিৱীৰ কোনো তৃণ, বা কোনো কেচা শাক বা কোনো গছ অনিষ্ট
নকৰি, যি সকলৰ কপালত ঈশ্বৰৰ ছাব নাই, অকল তেনে লোক
সকলক অনিষ্ট কৰিবলৈ সেইবোৰক কোৱা হ'ল। ৫ সেই লোক

সকলক বধ কৰিবলৈ তেওঁলোকক অনুমতি দিয়া হোৱা নাই, কিন্তু
লোক সকলক পাঁচ মাহলৈকে যাতনা দিবৰ বাবে, সেইবোৰক ক্ষমতা
দিয়া হ'ল। কেঁকোৰা-বিছাই মানুহক বিন্ধাত যেনে যাতনা, সেইবোৰে
দিয়া যাতনাও তেনে। ৬ সেই কালত লোক সকলে মৃত্যুক বিচাৰিব,
কিন্তু কোনোমতে তাক নাপাব; তেওঁলোকে মৰিবলৈ আকাংক্ষা কৰিব,
কিন্তু মৃত্যু তেওঁলোকৰ পৰা পলাব। ৭ সেই ফৰিংবোৰৰ আকৃতি,
যুদ্ধৰ অৰ্থে সুসজ্জিত কৰা ঘোঁৰাৰ নিচিনা৷ তেওঁলোকৰ মুৰত সোণৰ
কিৰীটি থকা যেন দেখা যায় আৰু সিহঁতৰ মুখ মানুহৰ মুখৰ নিচিনা। ৮
মহিলাৰ চুলিৰ নিচিনা সিহঁতৰ চুলি আছিল; সিহঁতৰ দাঁত সিংহৰ দাঁতৰ
নিচিনা। ৯ লোহাৰ বুকুবৰিৰ নিচিনা সিহঁতৰ বুকুবৰি আছিল; সিহঁতৰ
ডেউকাৰ শব্দ, ৰণলৈ ল'ৰি যোৱা ঘোঁৰা লগোৱা ৰথৰ শব্দৰ নিচিনা।
১০ কেঁকোৰা-বিছাৰ নিচিনা সিহঁতৰ নেজ হুলেৰে সৈতে আছিল; আৰু
পাঁচ মাহলৈকে মানুহক অনিষ্ট কৰিবলৈ সিহঁতৰ ক্ষমতা সিহঁতৰ নেজত
আছিল। ১১ অগাধ ঠাইৰ দূত সিহঁতৰ ওপৰত ৰজা আছিল৷ তাৰ নাম
ইব্ৰী ভাষাত আবদ্দোন আৰু গ্ৰীক ভাষাত আপল্লুয়োন। **(Abyssos g12)**
১২ এই প্ৰথম সন্তাপ গ'ল; চোৱা! ইয়াৰ পাছত এতিয়াও দুটা দুৰ্যোগ
আহি আছে৷ ১৩ পাছত ষষ্ঠ দূতে তেওঁৰ তুৰী বজাওঁতে, ঈশ্বৰৰ আগত
থকা সোণৰ বেদিৰ শিং কেইটাৰ পৰা এটা মাত শুনিলোঁ। ১৪ তাৰ
পৰা কোনোবাই তূৰী লোৱা সেই ষষ্ঠ দূতক ক'লে, "ফৰাৎ মহা-নদীৰ
ওপৰত যি চাৰি দূত বন্ধ আছে, তেওঁলোকক মেলি দিয়া"। ১৫ তেতিয়া
লোক সকলৰ তিনি ভাগৰ এভাগক বধ কৰিবলৈ, যি চাৰি দূতক সেই
ঘণ্টা, দিন, মাহ আৰু বছৰৰ কাৰণে যুগুত কৰা হৈছিল, তেওঁলোকক
মেলি দিয়া হ'ল। ১৬ আৰু ঘোঁৰাত উঠা সৈন্যৰ সংখ্যা দুই হাজাৰ লাখ
আছিল৷ তেওঁলোকৰ সংখ্যা মই শুনিলোঁ; ১৭ আৰু দৰ্শনত মই সেই
ঘোঁৰাবোৰ আৰু তাত উঠি থকা সকল, যি সকলে চলাইছিল, এইৰূপে
দৰ্শন পালোঁ: তেওঁলোকৰ বুকুবৰি অগ্নিময়, নীলবৰ্ণ আৰু গন্ধকময়৷
আৰু ঘোঁৰাবোৰৰ মুৰ, সিংহৰ মুৰৰ নিচিনা; সেইবোৰৰ মুখৰ পৰা
জুই, ধুঁৱা আৰু গন্ধক ওলায়। ১৮ সেইবোৰৰ মুখৰ পৰা ওলোৱা জুই,
ধুঁৱা আৰু গন্ধক, এই তিনি উৎপাতৰ দ্বাৰাই মানুহৰ তিনি ভাগৰ এভাগ

বধ কৰা হ'ল। ১৯ কিয়নো সেই ঘোঁৰাবোৰৰ ক্ষমতা, সিহঁতৰ মুখত
আৰু নেজত আছে; কাৰণ সিহঁতৰ নেজ সাপৰ নিচিনা আৰু মুৰ থকা;
তাৰে সিহঁতে আঘাত কৰি যাতনা দিয়ে। ২০ এই উৎপাতবোৰৰ দ্বাৰাই
যি অৱশিষ্ট লোক সকলক বধ কৰা নহ'ল, তেওঁলোকে দেখিব, শুনিব,
আৰু ফুৰিব নোৱাৰা এনে সোণ, ৰূপ, পিতল, শিল আৰু কাঠেৰে সজা
মূৰ্তি আৰু দেৱতাবোৰৰ পূজা কৰিবলৈ নেৰিবৰ অভিপ্ৰায়েৰে নিজ নিজ
হাতে কৰা কৰ্মৰ পৰা মন-পালটন নকৰিলে। ২১ তেওঁলোকে নৰ-বধ,
মায়া কৰ্ম, ব্যভিচাৰ, চুৰ, সেইবোৰৰ পৰাও মন-পালটন নকৰিলে।

১০ তেতিয়া আন এজন বলৱান দূতক মই স্বৰ্গৰ পৰা নমা দেখিলোঁ।
তেওঁ মেঘেৰে আবৃত আৰু তেওঁৰ মুৰত ৰামধনু আছিল৷ তেওঁৰ মুখ
সূৰ্য্যৰ নিচিনা, তেওঁৰ ভৰি অগ্নিস্তম্ভৰ নিচিনা। ২ তেওঁৰ হাতত এটা
পুথিৰ সৰু নুৰা আছিল আৰু তেওঁ সোঁ ভৰি সমুদ্ৰত, বাওঁ ভৰি মাটিত
আছিল৷ ৩ আৰু সিংহৰ গোজঁৰনিৰ দৰে বৰ মাতেৰে ৰিঙিয়ালে; তেওঁ
ৰিঙিয়াওঁতে, মেঘ-গৰ্জ্জন সাতোটাই মাত লগালে৷ ৪ সেই সাতোটা
মেঘ-গৰ্জ্জনে ৰিঙিয়াওঁতে, মই লিখিবলৈ উদ্যত হ'লোঁ; এনেতে এই
আকাশী বাণী শুনিলোঁ, "মেঘ-গৰ্জ্জন সাতোটাই যি যি ক'লে, সেইবোৰ
ছাব মাৰি ৰাখিবা৷ নিলিখিবা"। ৫ পাছত সমুদ্ৰ আৰু মাটিৰ ওপৰত
থিয় হৈ আকাশলৈ নিজৰ সোঁ হাত দঙা এজন দূতক দেখিলোঁ, ৬
আকাশমণ্ডল আৰু তাত যি যি আছে, পৃথিৱী আৰু তাত যি যি আছে,
সাগৰ আৰু তাতো যি যি আছে, সেই সকলোৰে সৃষ্টিকৰ্ত্তা চিৰকাল
জীয়াই থকা যি জনা, সেই জীৱন্ত জনাৰ নাম লৈ তেওঁ শপত খালে যে,
"আৰু পলম নহ'ব৷ (aiōn g165) ৭ কিন্তু সপ্তম দূতে যিটো সময়ত তূৰী
বজাবলৈ উদ্যত হ'ব, সেই ধ্বনিৰ সময়ত, ঈশ্বৰৰ নিগূঢ়-তত্ত্ব, তেওঁৰ
দাস যি ভাববাদী সকল, তেওঁলোকক ঘোষণা কৰিবলৈ দিয়া শুভ
সংবাদ অনুসাৰে সিদ্ধ হ'ব"। ৮ তেতিয়া মই শুনা সেই আকাশ-বাণীয়ে
মোৰে সৈতে আকৌ কথা হৈ ক'লে, "সমুদ্ৰ আৰু মাটিৰ ওপৰত থিয়
হৈ থকা সেই দূতৰ হাতত যি মেলা পুথিৰ নুৰা আছে, তুমি গৈ তাক
লোৱা"। ৯ তাতে মই সেই দূতৰ ওচৰলৈ গৈ পুথিৰ সৰু নুৰাটো মোক
দিবৰ বাবে তেওঁক ক'লো। তেতিয়া তেওঁ মোক ক'লে, "পুথিৰ নুৰাটো

লোৱা আৰু ইয়াক খাই পেলোৱা; ই তোমাৰ পেট তিতা হৱলৈ দিব,
কিন্তু তোমাৰ মুখত ই মৌৰ দৰে সোৱাদ লাগিব"। ১০ তেতিয়া মই
দূতৰ হাতৰ পৰা সেই পুথিৰ সৰু নুৰাটো লৈ তাক খালোঁ৷ সেয়ে মোৰ
মুখত মৌৰ নিচিনা সোৱাদ লাগিছিল; কিন্তু তাক খোৱাৰ পাছত, মোৰ
পেট তিতা হ'ল। ১১ পাছত মোক কোৱা হ'ল, "তুমি অনেক লোকৰ,
সকলো জাতিৰ, ভাষাৰ আৰু অনেক ৰজাৰ বিষয়ে আকৌ ভাবোক্তি
প্ৰচাৰ কৰিব লাগিব"।

**১১** পাছত লাখুটিৰ নিচিনা এডাল নল মোক দিয়া হ'ল; আৰু মোক
কোৱা হ'ল, "উঠা, তুমি ঈশ্বৰৰ মন্দিৰ, যজ্ঞবেদি আৰু সেইবোৰক
প্ৰণিপাত কৰা সকলক জোখা। ২ কিন্তু মন্দিৰৰ বাহিৰৰ চোতাল বাদ
দিবা, তাক নুজুখিবা; কিয়নো তাক অনা-ইহুদী সকলক দিয়া হ'ল৷
তাতে তেওঁলোকে দুকুৰি দুমাহলৈকে পবিত্ৰ নগৰ গচকিব। ৩ মোৰ
দুজন সাক্ষীক মই ক্ষমতা দিম; তাতে তেওঁলোকে মৰাপাতৰ চট
পিন্ধি, এহেজাৰ দুশ ষাঠি দিন ভাবোক্তি প্ৰচাৰ কৰিব।" ৪ তেওঁলোকৰ
পৃথিৱীৰ প্ৰভুৰ আগত থিয় হৈ থকা দুজোপা জলফাই গছ আৰু দুটা
দীপাধাৰ স্বৰূপ। ৫ তেওঁলোকক কোনোৱে যদি অনিষ্ট কৰিব খোজে,
তেনেহলে তেওঁলোকৰ মুখৰ পৰা জুই ওলায় আৰু তেওঁলোকৰ
শত্ৰুবোৰক গ্ৰাস কৰে৷ কোনোৱে যদি তেওঁলোকক অনিষ্ট কৰিব
খুজিব, তেনেহলে একেদৰে তেওঁ হত হ'ব লাগিব। ৬ তেওঁলোকে
ভাববাণী কোৱা দিনত যেন বৰষুণ নবৰ্ষে, আকাশক বন্ধ কৰিবলৈ
তেওঁলোকৰ এনে ক্ষমতা আছে; আৰু যিমান বাৰ পানীক তেজ কৰিবলৈ
আৰু সকলো উৎপাতেৰে পৃথিৱীক আঘাত কৰিবলৈ তেওঁলোকে ইচ্ছা
কৰিব, সিমান বাৰ তেনে কৰিবলৈ তেওঁলোকৰ ক্ষমতা আছে। ৭
তেওঁলোকে যেতিয়া নিজ সাক্ষ্য সমাপ্ত কৰিব, তেতিয়া সেই অগাধ
ঠাইৰ পৰা পশু উঠি আহিব, সি তেওঁলোকৰ সৈতে যুদ্ধ কৰি জয়
কৰিব। **(Abyssos g12)** ৮ তাতে চদোম আৰু মিচৰ এই আত্মিক নাম
থকা যি নগৰত তেওঁলোকৰ প্ৰভুক ক্ৰুচত দিয়া হ'ল, সেই মহা-নগৰৰ
আলিতে তেওঁলোকৰ মৰা শৰ পৰি থাকিব। ৯ নানা লোক, ফৈদ, ভাষা
আৰু সকলো জাতিৰ লোকে চাৰে তিনি দিনলৈকে তেওঁলোকৰ সেই

শৰ চাই থাকিব, তেওঁলোকৰ শৰ মৈদামত থবলৈ অনুমতি নিদিব।
১০ আৰু পৃথিৱী নিবাসী সকলে তেওঁলোকৰ ওপৰত আনন্দিত হৈ ৰং
কৰিব আৰু ইজনে সিজনলৈ উপহাৰ পঠাব; কিয়নো সেই দুজনে
পৃথিৱী নিবাসী সকলক যাতনা দিছিল। ১১ চাৰে তিনি দিনৰ পাছত
তেওঁলোকত ঈশ্বৰৰ পৰা জীৱ আত্মা সোমোৱাত, তেওঁলোক আৰু
মোৰ দুজন সাক্ষীক মই ক্ষমতা দিম; তেওঁলোকে নিজ নিজ ভৰিৰে
থিয় হ'ল; তাতে যি সকলে তেওঁলোকক চাই আছিল, তেওঁলোকৰ
অতিশয় ভয় লাগিল। ১২ পাছত তেওঁলোকে নিজলৈ কোৱা এই
মহা আকাশ-বাণী শুনিলে, "ইয়ালৈ তোমালোক উঠি আহা"! তাতে
তেওঁলোক মেঘ-ৰথত স্বৰ্গলৈ উঠি গ'ল; আৰু তেওঁলোকৰ শত্ৰু সকলে
তেওঁলোকলৈ চাই আছিল৷ ১৩ সেই ক্ষণতে বৰ ভুমিকম্প হ'ল; তাতে
নগৰৰ দহ ভাগৰ এভাগ পৰিল৷ সেই ভুমিকম্পৰ দ্বাৰাই প্ৰায় সাত
হাজাৰ লোক হত হ'ল; আৰু অৱশিষ্ট সকলে ভয়ত স্বৰ্গৰ ঈশ্বৰৰ মহিমা
স্বীকাৰ কৰিলে। ১৪ এই দ্বিতীয় সন্তাপ হৈ গ'ল, চোৱা! তৃতীয় সন্তাপ
বেগাই আহিছে। ১৫ পাছত সপ্তম দূতে তুৰী বজাওঁতে, স্বৰ্গত এইবোৰ
মহা-বাণী হ'ল, বোলে, "এই জগতৰ ৰাজ্য, আমাৰ প্ৰভুৰ আৰু তেওঁৰ
খ্ৰীষ্টৰ হ'ল৷ আৰু তেওঁ চিৰকাল ৰাজশাসন কৰিব"। **(aiōn g165)** ১৬
আৰু ঈশ্বৰৰ আগত নিজ নিজ সিংহাসনত বহি থকা সেই চৌবিশ জন
পৰিচাৰকে উবুৰি হৈ পৰি, ঈশ্বৰক প্ৰণিপাত কৰি, ১৭ তেওঁলোকে
ক'লে, "হে বৰ্ত্তমান, ভূত আৰু সৰ্ব্বশক্তিমান প্ৰভু পৰমেশ্বৰ, আমি
তোমাৰ ধন্যবাদ কৰোঁ; কিয়নো তুমি নিজ পৰাক্ৰম লৈ, ৰাজত্ব গ্ৰহণ
কৰিলা। ১৮ আৰু অনা-ইহুদী সকলৰ খং উঠিছিল, কিন্তু তোমাৰ
ক্ৰোধ উপস্থিত হ'ল আৰু মৃত সকলৰ সোধ-বিচাৰৰ আৰু তোমাৰ দাস
ভাববাদী সকলক, পবিত্ৰ লোক সকলক আৰু তোমাৰ নামত ভয় কৰা
সৰু বৰ সকলোকে পুৰস্কাৰ দিয়াৰ আৰু পৃথিৱী নাশকবোৰক নাশ
কৰিবৰ সময় উপস্থিত হ'ল।" ১৯ পাছত স্বৰ্গত থকা ঈশ্বৰৰ মন্দিৰৰ
দুৱাৰ যেতিয়া মুকলি কৰা হ'ল; তেতিয়া তেওঁৰ বিধানৰ নিয়ম-চন্দুক
দেখা গ'ল৷ তাতে বিজুলী, গাজনি, মেঘ-গৰ্জ্জন, ভুমিকম্প আৰু মহা-
শিলাবৃষ্টি হ'ল।

১২ পাছত স্বৰ্গত এটা মহৎ চিন দেখা গ'ল: এজনী তিৰোতা দেখা
গ'ল; তেওঁ কাপোৰৰ সৈতে সুৰ্য্যক পিন্ধিছিল আৰু তেওঁৰ ভৰিৰ তলত
চন্দ্ৰ আছিল আৰু তেওঁ মুৰত বাৰটা তৰাৰ কিৰীটি পিন্ধিছিল৷ ২ তেওঁ
গৰ্ভৱতী আছিল আৰু প্ৰসৱ কৰিবৰ কাৰণে প্ৰসৱ-বেদনাৰে পীড়িত
হৈ আটাহ পাৰি আছিল। ৩ আৰু স্বৰ্গত আন এটা চিন দেখা গ'ল:
চোৱা! তাত এটা ৰঙা বৃহৎ আকাৰৰ ড্ৰেগন আছিল; তাৰ সাতটা
মূৰ, দহটা শিং আৰু মূৰত সাতটা কিৰীটি আছিল। ৪ তাৰ নেজে
আকাশৰ তৰাবোৰৰ তিনি ভাগৰ এভাগ টানি আনিলে আৰু পৃথিৱীত
পেলাই দিলে। প্ৰসৱ কৰিবলৈ উদ্যত হোৱা সেই তিৰোতাই প্ৰসৱ
কৰাৰ লগে লগে, সেই ড্ৰেগনে তেওঁৰ সন্তানক গ্ৰাস কৰিবলৈ তেওঁৰ
আগত থিয় হৈ আছিল। ৫ পাছত সেই তিৰোতাই এটি পুত্ৰ সন্তান
প্ৰসৱ কৰিলে, তেওঁ লোহাৰ দণ্ডেৰে সকলো জাতিক শাসন কৰিব৷
সেই পুত্ৰক ঈশ্বৰৰ আৰু তেওঁৰ সিংহাসনৰ ওচৰলৈ তুলি নিয়া হ'ল;
৬ আৰু সেই তিৰোতা এক হাজাৰ দুশ ষাঠি দিনলৈকে প্ৰতিপালিত
হ'বলৈ তেওঁৰ বাবে মৰুপ্ৰান্তত ঈশ্বৰৰ দ্বাৰাই যুগুত কৰি থোৱা যি
ঠাই আছিল, সেই ঠাইলৈ পলাই গ'ল। ৭ এতিয়া স্বৰ্গত যুদ্ধ হ'ল৷
মীখায়েল আৰু তেওঁৰ দূত সকলে সেই ড্ৰেগনৰ সৈতে যুদ্ধ কৰিলে;
সেই ড্ৰেগন আৰু তাৰ দূত সকলেও যুদ্ধ কৰিলে৷ ৮ কিন্তু সেই ড্ৰেগন
যথেষ্ট শক্তিশালী নোহোৱাত বলে নোৱাৰিলে; সেয়েহে স্বৰ্গত সি আৰু
তাৰ দূত সকলে অধিক সময় থাকিবৰ বাবে ঠাই নাপালে। ৯ সেই
ড্ৰেগন, যি দিয়াবল আৰু চয়তান নামেৰে বিখ্যাত; সেই পুৰণি সাপে
গোটেই জগতৰ ভ্ৰান্তি জন্মায়, তাক পৃথিৱীলৈ পেলোৱা হ'ল; আৰু তাৰ
দূত সকলকো তাৰ লগতে পেলোৱা হ'ল। ১০ তেতিয়া মই স্বৰ্গত বৰ
মাতেৰে কোৱা এই বাণী শুনিলোঁ: “এতিয়া পৰিত্ৰাণ, শক্তি - আৰু
ৰাজ্য, আমাৰ ঈশ্বৰৰ আৰু অধিকাৰ তেওঁৰ অভিষিক্ত জনৰ অৰ্থাৎ
খ্ৰীষ্টৰ হ'ল৷ কিয়নো আমাৰ ভাই সকলৰ যি অপবাদকে দিনে-ৰাতিয়ে
আমাৰ ঈশ্বৰৰ আগত তেওঁলোকৰ অপবাদ দিয়ে, তাক পেলোৱা হ'ল।
১১ তেওঁলোকে মেৰ-পোৱালিৰ তেজ আৰু নিজ নিজ সাক্ষ্যৰূপ বাক্যৰ
দ্বাৰাই তাক জয় কৰিলে, তেওঁলোকে মৃত্যু পৰ্য্যন্ত নিজৰ জীৱনক প্ৰিয়

জ্ঞান কৰি ভালপায় নাথাকিল। ১২ এই কাৰণে, হে স্বৰ্গ আৰু তাত
নিবাস কৰা সকল, তোমালোকে আনন্দ কৰা! কিন্তু হে পৃথিৱী আৰু
সমুদ্ৰ, তোমালোকৰ সন্তাপ হ'ব; কিয়নো চয়তান তোমালোকৰ তালৈ
নামি গ'ল; আৰু তাৰ কাল অলপ হোৱা দেখি সি অতি ক্ৰুদ্ধ হৈছে।"
১৩ পাছত সেই ড্ৰেগনে দেখিলে যে তাক পৃথিৱীত পেলোৱা হ'ল,
ইয়াকে দেখি পুত্ৰ প্ৰসৱ কৰা সেই তিৰোতাক সি তাড়না কৰিলে।
১৪ কিন্তু সেই তিৰোতাক মৰুপ্ৰান্তলৈ উৰি যাবৰ কাৰণে ডাঙৰ ঈগল
পক্ষীৰ নিচিনা দুখন ডেউকা দিয়া হ'ল; সেই ঠাইত, সেই সাপৰ
সন্মুখৰ পৰা দূৰৈত এক কাল, দুই কাল আৰু আধা কাললৈকে তেওঁ
প্ৰতিপালিত হয়। ১৫ পাছত সেই ড্ৰেগনে সেই তিৰোতাক লক্ষ্য কৰি
তাৰ মুখৰ পৰা নদীৰ পানীৰ নিচিনা জলপ্ৰবাহ বোৱাই দিলে; সেই
পানীৰ সোঁত এনেদৰে বৈ আহিল যাতে তাইক উটুৱাই নিব পাৰে৷ ১৬
কিন্তু পৃথিৱীয়ে সেই তিৰোতাক উপকাৰ কৰিলে৷ নিজৰ মুখ মেলিলে,
আৰু ড্ৰেগনে মুখৰ পৰা উলিয়াই পঠোৱা সেই নদী গ্ৰাস কৰিলে। ১৭
তাতে সেই তিৰোতালৈ সেই ড্ৰেগনৰ খং উঠিল, আৰু তেওঁৰ বংশৰ
অৱশিষ্ট লোক, যি সকলে ঈশ্বৰৰ আজ্ঞা পালন কৰে আৰু যীচুৰ সাক্ষ্য
ধাৰণ কৰে; সেই লোক সকলৰ সৈতে যুদ্ধ কৰিবলৈ গ'ল৷

**১৩** তেতিয়া সেই ড্ৰেগন গৈ সমুদ্ৰৰ তীৰত থিয় হ'ল। তেতিয়া মই
সাগৰৰ পৰা এটা পশুক উঠা দেখিলোঁ৷ তাৰ দহোটা শিং, সাতোটা
মূৰ আছিল৷ তাৰ শিঙত দহোটা কিৰীটি আৰু মূৰত ঈশ্বৰক নিন্দা
কৰা কিছুমান নাম লিখা আছিল। ২ সেই যি পশু মই দেখিলোঁ, সি
নাহৰফুটুকী বাঘৰ নিচিনা আছিল৷ তাৰ ভৰি ভালুকৰ নিচিনা আৰু
সিংহৰ মুখৰ নিচিনা তাৰ মুখ৷ সেই ড্ৰেগনে নিজৰ শক্তি সেই পশুক
দিলে, আৰু তাৰ নিজৰ সিংহাসন আৰু ক্ষমতা চলাবলৈ অধিকাৰো
তাক দিলে৷ ৩ পাছত পশুৰ মূৰবোৰৰ মাজৰ এটা মূৰত মৰাকৈ কটা
এটা ঘা যেন দেখিলোঁ; কিন্তু সেই মৃত্যুজনক ঘা সুস্থ কৰা হ'ল, ইয়াকে
দেখি গোটেই জগত খনে সেই পশুৰ কথাত আচৰিত মানিলে আৰু
তাক অনুসৰণ কৰিলে। ৪ তাতে সকলোৱে সেই ড্ৰেগনকো প্ৰণিপাত
কৰিলে, কিয়নো সি পশুক নিজৰ ক্ষমতা দিলে, আৰু তেওঁলোকে

পশুকো প্ৰণিপাত কৰি ক'লে, "এই পশুৰ তুল্য কোন আছে, আৰু
ইয়াৰে সৈতে কোনে যুদ্ধ কৰিব পাৰে?" ৫ সেই পশুক বৰ বৰ কথা
কবলৈ আৰু ঈশ্বৰক নিন্দা কৰা বাক্য কোৱা মুখ দিয়া হ'ল৷ বিয়াল্লিশ
মাহলৈকে কাৰ্য কৰিবলৈ তাক ক্ষমতা দিয়া হ'ল। ৬ তাতে সেই পশুৱে
নিজ মুখ মেলি ঈশ্বৰৰ বিৰুদ্ধে নিন্দা কৰিব ধৰিলে, তেওঁৰ নাম, তেওঁৰ
বাসস্থান আৰু তেওঁৰ সৈতে নিবাস কৰা স্বৰ্গনিবাসী সকলোকে নিন্দা
কৰিবলৈ ধৰিলে। ৭ সেই পশুক পবিত্ৰ লোকৰ সৈতে যুদ্ধ কৰিবলৈ
আৰু তেওঁলোকক জয় কৰিবলৈ তাক শক্তি দিয়া হ'ল। ইয়াৰ উপৰি
সকলো ফৈদ, লোক, ভাষা আৰু সকলো জাতিৰ ওপৰত তাক অধিকাৰ
দিয়া হ'ল। ৮ তাতে জগত স্থাপনৰ পুৰ্ব্বৰে পৰা হত হোৱা সেই মেৰ-
পোৱালিৰ জীৱন পুস্তকত যি সকলৰ নাম লিখা নাই, পৃথিৱী নিবাসী
সেই সকলো লোকে তাক প্ৰণিপাত কৰিব। ৯ কাৰোবাৰ যদি কাণ
আছে, তেওঁ শুনক। ১০ কোনোৱে যদি বন্দী অৱস্থাৰ কাৰণে হয়,
তেওঁ বন্দী অৱস্থালৈ যাব৷ কোনোৱে যদি তৰোৱালেৰে বধ কৰে,
তেৱোঁ তৰোৱালেৰে হত হ'ব লাগিব। ইয়াত পবিত্ৰ লোক সকলৰ
ধৈৰ্য আৰু বিশ্বাস আছে। ১১ তাৰ পাছত মই আন এটা ড্ৰেগনক
পৃথিৱীৰ পৰা উঠা দেখিলোঁ। তাৰ মেৰ-পোৱালিৰ নিচিনা দুটা শিং
আছে আৰু সি ড্ৰেগনৰ দৰে কথা কয়৷ ১২ সি এই প্ৰথম পশুটোৰ
সকলো অধিকাৰ, প্ৰথম পশুটোৰ উপস্থিতে পালন কৰে আৰু যি প্ৰথম
পশুৰ মৃত্যুজনক ঘা সুস্থ কৰা হ'ল, সেই পশুক পৃথিৱী আৰু তাত
নিবাস কৰা সকলোকে প্ৰণিপাত কৰিবলৈ বাধ্য কৰালে। ১৩ সি নানা
আলৌকিক চিন দেখুৱায়; এনে কি, লোক সকলৰ সাক্ষাতে স্বৰ্গৰ পৰা
পৃথিৱীলৈ অগ্নি নমায়৷ ১৪ এইদৰে সেই পশুৰ সাক্ষাতে যি যি চিন
দেখুৱাবলৈ তাক ক্ষমতা দিয়া হ'ল, তাৰ দ্বাৰাই সি পৃথিৱীত বাস
কৰা সকলক ভ্ৰান্তি জন্মায়; বিশেষকৈ, যি পশু তৰোৱালৰ আঘাতৰ
ঘা পায়ো জীয়াই উঠিল, সেই পশুৰ এটা প্ৰতিমূৰ্তি নিৰ্ম্মাণ কৰিবলৈ
পৃথিৱী নিবাসী সকলক ক'লে। ১৫ তাক সেই পশুৰ প্ৰতিমূৰ্তিত প্ৰাণ-
বায়ু দিবলৈ ক্ষমতা দিয়া হ'ল, যাতে সেই প্ৰতিমূৰ্তিয়ে কথা ক'ব পাৰে
আৰু সেই পশুৰ প্ৰতিমূৰ্তিক প্ৰণিপাত নকৰা সকলক যেন বধ কৰাৰ

আদেশ দিব পাৰে৷ ১৬ তাতে সি গুৰুত্বহীন আৰু ক্ষমতাশালী, ধনী
আৰু দৰিদ্ৰ, স্বাধীন আৰু দাস, প্ৰত্যেকৰে সোঁ হাতত বা কপালত এটা
বিশেষ চিহ্নৰ ছাব লবলৈ বাধ্য কৰালে; ১৭ যি সকলৰ সেই পশুৰ
ছাব, অৰ্থাৎ সেই পশুৰ নাম, বা তাৰ নামৰ সংখ্যা নাই, তাক এনে
কৰিলে যে, তেওঁ কিনা-বেচা কৰাতো অসম্ভৱ হ'ল৷ ১৮ ইয়াত জ্ঞানৰ
কথা আছে; যদি কাৰোবাৰ বুদ্ধি আছে, তেওঁ সেই পশুৰ সংখ্যা গণনা
কৰক; কিয়নো এইটো এজন মানুহৰ সংখ্যা৷ তেওঁৰ সংখ্যা হ'ল ছয় শ
ছয়ষষ্ঠি।

**১৪** তাৰ পাছত মই চাই দেখিলোঁ, সেই মেৰ-পোৱালি চিয়োন
পৰ্বতৰ ওপৰত থিয় হৈ আছিল৷ তেওঁৰ সৈতে এক লাখ চৌৱাল্লিশ
হাজাৰ লোক আছিল; তেওঁলোকৰ কপালত তেওঁৰ নাম আৰু তেওঁৰ
পিতৃৰো নাম লিখা আছিল। ২ মই স্বৰ্গৰ পৰা এটা মাত শুনিলো,
সেই মাত অগাধ জলৰ দৰে আৰু প্ৰবল মেঘ-গৰ্জ্জনৰ শব্দৰ নিচিনা
আছিল৷ মই শুনা সেই মাত, বীণা বজাওঁতা সকলে নিজ নিজ বীণাত
বজোৱা মাতৰ নিচিনাও আছিল৷ ৩ তেওঁলোকে সেই সিংহাসনৰ
সন্মূখত থকা সেই চাৰি প্ৰাণী আৰু পৰিচাৰক সকলৰ আগত এটা
নতুন গীত গালে; পৃথিৱীৰ পৰা কিনি লোৱা এই এক লাখ চৌৱাল্লিশ
হাজাৰ লোকৰ বাহিৰে আন কোনোৱে সেই গীত শিকিব নোৱাৰিলে।
৪ তেওঁলোক তিৰোতা সকলৰ সঙ্গত কলুষিত হোৱা নাই; কাৰণ
তেওঁলোক অমৈথুন। সেই মেৰ-পোৱালি য'লৈকে যায়, তেওঁলোকো
তেওঁৰ পাছে পাছে তালৈ যায়৷ ঈশ্বৰৰ সেই মেৰ-পোৱালিৰ উদ্দেশ্যে
প্ৰথম ফল হিচাপে তেওঁলোকক মনুষ্য সকলৰ মাজৰ পৰা কিনি লোৱা
হ'ল। ৫ তেওঁলোকৰ মুখত কোনো মিছা কথা পোৱা নগ'ল; তেওঁলোক
নিৰ্দোষী। ৬ পাছত আকাশৰ মাজত আন এজন স্বৰ্গৰ দূতক উড়ি ফুৰা
দেখিলোঁ; তেওঁ পৃথিৱীত বসতি কৰা লোক সকলৰ ওচৰত, পৃথিৱীৰ
সকলো জাতি, ফৈদ, ভাষা আৰু সাধাৰণ লোক সকলৰ আগত প্ৰচাৰ
কৰিবলৈ তেওঁৰ লগত অনন্তকলীয়া শুভবাৰ্তা আছিল৷ **(aiōnios g166)**
৭ তেওঁ বৰ মাতেৰে ক'লে, "ঈশ্বৰক ভয় কৰা আৰু তেওঁৰ মহিমা
স্বীকাৰ কৰা; কিয়নো তেওঁৰ সোধ-বিচাৰৰ সময় আহিল৷ যি জনে স্বৰ্গ,

পৃথিৱী, সাগৰ, জলৰ ভুমুকবোৰ, এই সকলোৰে সৃষ্টি কৰিলে, সেই
জন সৃষ্টিকৰ্ত্তাক আৰাধনা কৰা।” ৮ তাৰ পাছত প্ৰথম স্বৰ্গৰ দূত জনক
অনুসৰণ কৰি দ্বিতীয় দূত এজনে ক’লে, “যি বাবিলে নিজ ব্যভিচাৰৰ
ক্ৰোধৰূপ দ্ৰাক্ষাৰস সকলো জাতিক পান কৰাইছিল, সেই মহা-বাবিল
পৰিল, পৰিল।” ৯ পাছত আন এজন তৃতীয় স্বৰ্গৰ দূতে, তেওঁলোকৰ
পাছে পাছে আহি বৰ মাতেৰে ক’লে, “কোনোৰে যদি সেই পশু আৰু
তাৰ প্ৰতিমূৰ্তিক প্ৰণিপাত কৰে আৰু নিজৰ কপালত বা হাতত ছাব
লয়, ১০ তেনেহলে ঈশ্বৰৰ কোপৰ পান-পাত্ৰত যি ক্ৰোধৰূপ দ্ৰাক্ষাৰস
মিহলি নোহোৱাকৈ যুগুতাই ৰখা হৈছে, তাক তেওঁ পান কৰিব লাগিব৷
যি ব্যক্তিয়ে সেই পান কৰিব, তেওঁ পবিত্ৰ স্বৰ্গৰ পবিত্ৰ দূত সকলৰ
সাক্ষাতে আৰু সেই মেৰ-পোৱালিৰ সাক্ষাতে জুই আৰু গন্ধকত যাতনা
পাব৷ ১১ তেওঁলোকৰ যাতনাৰ ধোৱাঁ চিৰকাল উঠি থাকিব৷ সেই পশু
আৰু তাৰ প্ৰতিমূৰ্তিক আৰাধনা কৰা সকলৰ আৰু যি কোনোৱে তাৰ
নামৰ ছাব লয়, সেই সকলৰ দিনে-ৰাতিয়ে একো জিৰণি নাই। **(aiōn
g165)** ১২ ইয়াকে পবিত্ৰ লোক সকলৰ দীৰ্ঘসহিষ্ণু ধৈৰ্য বুলি কোৱা হয়,
যি সকলে ঈশ্বৰৰ আজ্ঞা আৰু যীচুত থকা বিশ্বাস পালন কৰে৷” ১৩
পাছত এই আকাশ-বাণী শুনিলোঁ, “লিখা: এতিয়াৰ পৰা যি সকলে
প্ৰভুত মৰে, সেই মৃতসকল ধন্য৷” “হয়”, আত্মাই কৈছে, “তেওঁলোকে
নিজ নিজ পৰিশ্ৰমৰ পৰা জিৰণি পাব; কিয়নো তেওঁলোকৰ কৰ্ম
তেওঁলোকৰ অনুগামী।” ১৪ পাছত মই চাই বগা মেঘ আৰু তাৰ ওপৰত
মানুহৰ পুত্ৰৰ নিচিনা এজনক বহি থকা দেখিলোঁ৷ তেওঁৰ মূৰত সোণৰ
কিৰীটি আৰু হাতত চোকা কাচি আছিল। ১৫ পাছত মন্দিৰৰ পৰা আন
এজন স্বৰ্গৰ দূত ওলাই, মেঘত বহি থকা জনক বৰকৈ ৰিঙিয়াই ক’লে,
“তোমাৰ কাচি লগাই শস্য দোৱা৷ কিয়নো দাবৰ সময় হ’ল; কাৰণ
পৃথিৱীত শস্য পকি খৰখৰীয়া হ’ল৷” ১৬ তেতিয়া মেঘত বহি থকা জনে
পৃথিৱীত কাচি লগালে; তাতে পৃথিৱীৰ শস্য দোৱা হ’ল। ১৭ পাছত
স্বৰ্গত থকা মন্দিৰৰ পৰা আন এজন স্বৰ্গৰ দূত ওলাল; তেওঁৰ হাততো
এখন চোকা কাচি আছিল। ১৮ পাছত আন এজন স্বৰ্গৰ দূত যজ্ঞবেদিৰ
পৰা ওলাল, জুইৰ ওপৰত তেওঁক ক্ষমতা হৈছিল৷ তেওঁ সেই চোকা

কাচি লোৱা জনক বৰ মাতেৰে ৰিঙিয়াই ক'লে, “তোমাৰ চোকা কাচি
লগাই পৃথিৱীৰ দ্ৰাক্ষালতাৰ থোকবোৰ কাটি গোটোৱা; কিয়নো তাৰ
গুটি ভালকৈ পকিল।” ১৯ তাতে সেই স্বৰ্গৰ দূতে পৃথিৱীত নিজৰ
কাচি লগাই, পৃথিৱীৰ দ্ৰাক্ষালতাৰ থোপাবোৰ কাটি গোটাই, ঈশ্বৰৰ
ক্ৰোধৰূপ মহা পেৰাশালত পেলাই দিলে। ২০ নগৰৰ বাহিৰত সেই
পেৰাশাল গচকাত, শালৰ পৰা তেজ ওলাই, ঘোঁৰাৰ লেকামৰ সমান
ওখ হৈ, দুশ মাইলতকে বিয়পি গ'ল।

**১৫** তেতিয়া মই স্বৰ্গত আন এটা মহা-আচৰিত চিন অৰ্থাৎ সাতোটা
উৎপাতৰ ওপৰত ক্ষমতা পোৱা সাত জন দূত দেখিলোঁ; সেইবোৰেই
শেষ উৎপাত; কিয়নো সেইবোৰত ঈশ্বৰৰ ক্ৰোধ সমাপ্ত হয়। ২ পাছত
জুইৰে মিহলি হোৱা এখন দৰ্পণ যেন সমুদ্ৰ দেখিলোঁ; আৰু যি সকল
সেই পশু আৰু তাৰ প্ৰতিমূৰ্তি আৰু তাৰ নামৰ নম্বৰৰ ওপৰত জয়যুক্ত
হ'ল, তেওঁলোকক ঈশ্বৰৰ বীণা লৈ সেই দৰ্পণৰ নিচিনা সমুদ্ৰৰ পাৰত
থিয় হৈ থকা দেখিলোঁ; ৩ সেই লোক সকলে ঈশ্বৰৰ দাস, মোচিৰ গীত
আৰু সেই মেৰ-পোৱালিৰ গীত গান কৰি ক'লে, “আপোনাৰ কৰ্ম মহৎ
আৰু আচৰিত, সকলোৰে ওপৰত শাসন কৰা, হে প্ৰভু পৰমেশ্বৰ৷ হে
চিৰস্থায়ী ৰজা, আপোনাৰ পথ ন্যায় আৰু সত্য৷ ৪ আপোনাক কোনে
ভয় নকৰিব, হে প্ৰভু আৰু কোনে আপোনাৰ নাম প্ৰশংসা নকৰিব?
কিয়নো কেৱল আপুনি পবিত্ৰ; সকলো জাতিয়ে আপোনাৰ আগত
আহি আপোনাক আৰাধনা কৰিব৷ কিয়নো আপোনাৰ ন্যায় বিধান
প্ৰকাশিত কৰা হ'ল৷” ৫ তাৰ পাছত মই দেখিলোঁ, সেই অতি পবিত্ৰ
ঠাইত থকা সাক্ষ্য-তম্বুৰ মন্দিৰ স্বৰ্গত মেলা হ'ল; ৬ সেই অতি পবিত্ৰ
ঠাইৰ পৰা সেই সাতোটা উৎপাতৰ ওপৰত ক্ষমতা পোৱা সাত জন
দূত ওলাল; তেওঁলোক শুদ্ধ আৰু উজ্জ্বল মণিৰে বিভূষিত আৰু সোণৰ
টঙালিৰে তেওঁলোকৰ বুকু বন্ধা আছিল। ৭ পাছত সেই চাৰি জীৱিত
প্ৰাণীৰ এটাই সেই সাত জন দূতক চিৰকাল জীয়াই থকা ঈশ্বৰৰ
ক্ৰোধেৰে পুৰ হোৱা সাতোটা সোণৰ বাটি দিলে। **(aiōn g165)** ৮ ঈশ্বৰৰ
প্ৰতাপ আৰু পৰাক্ৰমৰ পৰা উৎপন্ন হোৱা ধোঁৱাঁৰে মন্দিৰ পৰিপূৰ্ণ হ'ল;

আৰু সেই সাত জন দূতৰ সাতোটা উৎপাত সমাপ্ত নোহোৱালৈকে
কোনেও সেই মন্দিৰত সোমাব নোৱাৰিলে।

**১৬** পাছত পবিত্ৰ মন্দিৰৰ পৰা এটা মহা-বাণী কোৱা শুনিলো আৰু
সেই সাত জন দূতলৈ এইদৰে কলে, “তোমালোকে যোৱা আৰু ঈশ্বৰৰ
ক্ৰোধৰ সেই সাতোটা বাটি পৃথিৱীত বাকি দিয়া।” ২ তেতিয়া প্ৰথম জন
দূতে গৈ পৃথিৱীত নিজৰ বাটি বাকি দিলে; তাতে সেই পশুৰ ছাব থকা
আৰু তাৰ প্ৰতিমূৰ্তিক প্ৰণিপাত কৰা লোক সকলৰ গাত জঘন্য আৰু
ক্লেশ-দায়ক বিষম ঘা হ’ল। ৩ দ্বিতীয় জন দূতে সাগৰত নিজৰ বাটি
বাকি দিলে; তাতে সেয়ে মৃত লোকৰ তেজৰ নিচিনা হ’ল; আৰু সাগৰত
থকা আটাই জীৱিত প্ৰাণী মৰিল। ৪ তৃতীয় জন দূতে নদী আৰু জলৰ
ভুমুকবোৰত নিজৰ বাটি বাকি দিলে; তাতে সেয়ে তেজ হৈ বৈ গ’ল।
৫ তেতিয়া জলৰ দূত জনক এই কথা কোৱা শুনিলোঁ, “তুমি ন্যায়ৱান,
যি জন আছে আৰু যি জন আছিল, সেই জন পবিত্ৰ, কিয়নো তুমি
এনে সোধ-বিচাৰ উপনিত কৰিলা। ৬ যিহেতু তেওঁলোকে তোমাৰ
পবিত্ৰ লোক আৰু ভাববাদী সকলৰ ৰক্তপাত কৰিলে, সেয়েহে তুমিও
তেওঁলোকক পান কৰিবলৈ তেজ দিলা; তেওঁলোক ইয়াৰ যোগ্য।”
৭ পাছত মই বেদিয়ে এই কথা কোৱা শুনিলোঁ, “হয়, হে সকলোৰে
ওপৰত শাসন কৰা প্ৰভু পৰমেশ্বৰ, তোমাৰ বিচাৰ-আজ্ঞাবোৰ সত্য
আৰু ন্যায়।” ৮ চতুৰ্থ দূত জনে সুৰ্য্যৰ ওপৰত নিজৰ বাটি বাকি দিলে;
আৰু মানুহক জুইৰে তাপিত কৰিবলৈ তেওঁক ক্ষমতা দিয়া হ’ল। ৯
তেতিয়া মানুহবোৰে বৰ তাপেৰে তাপিত হৈ, এইবোৰ উৎপাতৰ
ওপৰত ক্ষমতা থকা ঈশ্বৰৰ নামক নিন্দা কৰিলে৷ সিহঁতে তেওঁৰ
মহিমা স্বীকাৰ নকৰিলে আৰু মন-পালটন নকৰিলে। ১০ পঞ্চম দূত
জনে পশুৰ সিংহাসনৰ ওপৰত নিজৰ বাটি বাকি দিলে; তাতে তাৰ
ৰাজ্য অন্ধকাৰময় হ’ল; আৰু তেওঁলোকে মনোকষ্টত নিজ নিজ জিভা
কামুৰিলে; ১১ আৰু নিজ নিজ বেদনা আৰু ঘা বোৰৰ কাৰণে স্বৰ্গৰ
ঈশ্বৰক নিন্দা কৰি নিজ নিজ কৰ্মৰ পৰা মন-পালটন নকৰিলে। ১২
ষষ্ঠ দূত জনে ফৰাৎ মহা-নদীত নিজৰ বাটি বাকি দিলে; তাতে পূব
দিশৰ পৰা অহা ৰজা সকলৰ পথ প্ৰস্তুত কৰিবলৈ, সেই নদীৰ পানী

শুকাই গ'ল। ১৩ পাছত সেই ড্ৰেগনৰ মুখৰ পৰা, পশুৰ মুখৰ পৰা আৰু
ভাঁৰিকোৱা ভাববাদীৰ মুখৰ পৰা, ভেকুলিৰ সদৃশ তিনটা অশুচি আত্মা
ওলোৱা দেখিলোঁ। ১৪ কিয়নো সিহঁত ভূতবোৰৰ আত্মা, আচৰিত
চিন দেখুৱাওঁতা; সিহঁতে সৰ্বশক্তিমান ঈশ্বৰৰ সেই মহা-দিনৰ যুদ্ধলৈ
গোটেই জগতৰ ৰজা সকলক গোট খুৱাবৰ কাৰণে তেওঁলোকৰ
ওচৰলৈ ওলাই গ'ল। ১৫ (মন কৰিবা! মই চোৰৰনিচিনাকৈ আহিম।
ধন্য এনে লোক যি জনে নিজ গাত বস্ত্ৰ ৰাখিজাগি থাকে, যাতে তেওঁ
উলঙ্গ হৈ বাহিৰলৈ ওলাব নালাগে আৰু তেওঁৰ লাজ আন লোকে দেখা
নাপায়।) ১৬ পাছত সিহঁতে ইব্ৰী ভাষাত হৰমাগিদ্দোন বোলা এখন
ঠাইত ৰজা সকলক গোট খোৱালে। ১৭ সপ্তম দূত জনে আকাশত
নিজৰ বাটি বাকি দিলে; তাতে সেই মন্দিৰ আৰু সিংহাসনৰ পৰা এই
মহা-বাণী ওলাল, 'এইটো কৰা হ'ল৷' ১৮ তেতিয়া বিজুলী, গুমগুমনি,
মেঘ-গৰ্জ্জন আৰু মহা-ভুমিকম্প হ'ল, তেনে ভুমিকম্প পৃথিৱীত মনুষ্য
সৃষ্টি হোৱা দিনৰে পৰা কেতিয়াও হোৱা নাছিল; এই ভুমিকম্প অতি
ভয়ানক আছিল৷ ১৯ তাতে মহা-নগৰ খন তিনি ভাগত বিভক্ত হ'ল আৰু
অনা-ইহুদী সকলৰ নগৰবোৰ পৰিল; আৰু ঈশ্বৰৰ প্ৰচণ্ড ক্ৰোধৰূপ
দ্ৰাক্ষাৰসেৰে পৰিপূৰ্ণ পান-পাত্ৰ সেই মহান বাবিলক দিবলৈ, ঈশ্বৰৰ
দৃষ্টিতে তাক সোঁৱৰণ কৰা গ'ল। ২০ আৰু আটাই দ্বীপ নোহোৱা হ'ল,
পৰ্বতবোৰো পুনৰ পোৱা নগ'ল। ২১ আৰু মানুহৰ ওপৰত, আকাশৰ
পৰা এমোন এমোন গধুৰৰ মহা-শিলাবৃষ্টি হ'ল; এই শিলা-বৃষ্টিৰূপ
উৎপাতৰ কাৰণে মানুহে ঈশ্বৰক নিন্দা কৰিলে; কিয়নো সেই উৎপাত
অতি ভয়ানক।

**১৭** পাছত সেই সাতোটা বাটি লোৱা সাত জন দূতৰ এজন আহিল
আৰু মোক ক'লে, "আহা, মই তোমাক অনেক পানীৰ ওপৰত বহি
থকা সেই মহা-বেশ্যাৰ দণ্ড দেখুৱাওঁ, ২ তাইৰ সৈতে পৃথিৱীৰ ৰজা
সকলে ব্যভিচাৰ কৰিলে আৰু তাইৰ ব্যভিচাৰৰূপ দ্ৰাক্ষাৰসৰ দ্বাৰাই
পৃথিৱী নিবাসী সকলক মতলীয়া কৰা হ'ল।" ৩ তেতিয়া দূত জনে
মোক আত্মাত মৰুভূমিলৈ লৈ গ'ল; তাতে ঈশ্বৰক নিন্দা কৰা নামেৰে
পৰিপূৰ্ণ হোৱা আৰু সাতোটা মূৰ, দহোটা শিং থকা এটা উজ্বল ৰঙা

বৰণীয়া পশুৰ ওপৰত বহি থকা এজনী মহিলা দেখিলোঁ। ৪ সেই
মহিলা গৰাকী বেঙেনা বৰণীয়া আৰু উজ্বল ৰঙা বৰণৰ বস্ত্ৰ পিন্ধা,
সোণ আৰু বহুমূল্য মণি-মুকুতাৰ অলঙ্কাৰ পৰিধান কৰা; তাইৰ হাতত
ঘিণলগীয়া বস্তু আৰু তাইৰ ব্যভিচাৰৰূপ মলিৰে পৰিপূৰ্ণ এক পান-
পাত্ৰ আছিল; ৫ আৰু তাইৰ কপালত এই নাম লিখা আছিল, সেয়ে
নিগূঢ়-তত্ত্ব, "মহান বাবিল, পৃথিৱীৰ বেশ্যা সকলৰ আৰু ঘিণলগীয়া
বস্তুৰ মাতৃ।" ৬ সেই মহিলাক পবিত্ৰ লোক সকলৰ তেজত আৰু যীচুৰ
সাক্ষী সকলৰ তেজত মতলীয়া হোৱা দেখিলোঁ৷ মই তাইক দেখি অতি
বিস্ময় মানিলোঁ। ৭ তাতে সেই দূতে মোক ক'লে, "তুমি কিয় বিস্ময়
মানিলা? সেই তিৰোতা আৰু তাইক লৈ ফুৰি থকা সেই সাতোটা মুৰ
আৰু দহোটা শিং থকা পশুৰ নিগূঢ়-তত্ত্ব মই তোমাক বুজাই কম৷ ৮
তুমি যি পশুক দেখিলা, সি আছিল, কিন্তু সম্প্ৰতি নাই; সি অগাধ ঠাইৰ
পৰা উঠি পাছত বিনাশৰ ঠাইলৈ যাবৰ বাবে উদ্যত হৈছে; আৰু জগত
স্থাপনৰে পৰা জীৱন পুস্তকত যি সকলৰ নাম লিখা নাই, এনে পৃথিৱী
নিবাসী সকলে যেতিয়া সেই পশুক দেখিব, তেতিয়া যিটো আছিল,
সম্প্ৰতি নাই কিন্তু উপস্থিত হ'বলগীয়া, সেইটোক দেখি তেওঁলোকে
বিস্ময় মানিব। **(Abyssos g12)** ৯ ইয়াত বুজি পাবৰ বাবে জ্ঞানী মনৰ
প্ৰয়োজন। যিবোৰৰ ওপৰত সেই মহিলা গৰাকী বহি আছে, সেই
সাতোটা মুৰ হৈছে সাতোটা পৰ্বত; আৰু সেইবোৰেই সাত জন ৰজাও৷
১০ তেওঁলোকৰ পাঁচ জন পতিত হ'ল, এজন বৰ্তমান আছে, আৰু
আন জন এতিয়াও অহা নাই; কিন্তু আহিলেও তেওঁ অলপ কালহে
থাকিব। ১১ আৰু যি পশু আছিল কিন্তু সম্প্ৰতি নাই, সি নিজেই অষ্টম
ৰজা আৰু সেই শ্ৰেণীৰে সাত জনৰ এজন; সি বিনাশৰ ঠাইলৈ যাব।
১২ আৰু তুমি দেখা সেই দহোটা শিঙেই, দহ জন ৰজা; তেওঁলোকে
এতিয়াও ৰাজ্য পোৱা নাই; কিন্তু এক ঘণ্টাৰ কাৰণে সেই পশুৰে সৈতে
সেই কেইজনেও ৰাজ অধিকাৰ পাব। ১৩ তেওঁলোকে এক পৰামৰ্শ
হৈ নিজৰ শক্তি আৰু অধিকাৰ সেই পশুক দিব। ১৪ তেওঁলোকে
মেৰ-পোৱালিৰ সৈতে যুদ্ধ কৰিব; কিন্তু মেৰ-পোৱালিয়ে তেওঁলোকৰ
ওপৰত জয় কৰিব; কিয়নো তেওঁ প্ৰভুৰো প্ৰভু, ৰজাৰো ৰজা আৰু

তেওঁৰ সৈতে থকা সকলো আমন্ত্ৰিত, মনোনীত আৰু বিশ্বাসী।” ১৫
সেই দূত জনে মোক আকৌ ক'লে, “তুমি যি পানী দেখিলা, অৰ্থাৎ য'ত
সেই বেশ্যা বহি আছে, সেই পানীবোৰেই অনেক প্ৰজা, সাধাৰণ লোক,
সকলো জাতি আৰু ভাষাৰ লোক সকল। ১৬ তুমি দেখা সেই দহোটা
শিং আৰু পশুৱে সেই বেশ্যাক ঘিণ কৰিব৷ তাইক অনাথ আৰু উলঙ্গ
কৰি তাইৰ মঙহ খাব আৰু তাইক সম্পূৰ্ণৰূপে জুইত পুৰি পেলাব। ১৭
কিয়নো ঈশ্বৰৰ বাক্য সিদ্ধ নোহোৱালৈ তেওঁৰ মনস্থ পুৰ কৰিবলৈ আৰু
এক মনৰ হৈ তেওঁলোকৰ নিজ নিজ ৰাজ্য পশুক দিবৰ বাবে, ঈশ্বৰে
তেওঁলোকৰ মনত প্ৰবৃত্তি জন্মালে। ১৮ তুমি যি মহিলাক দেখিলা, তাই
পৃথিৱীৰ ৰজা সকলৰ ওপৰত ৰাজত্ব পোৱা সেই মহা-নগৰ।

**১৮** এইবোৰ ঘটনা ঘটাৰ পাছত মই আন এজন দূতক স্বৰ্গৰ পৰা
নমা দেখিলোঁ; তেওঁ অধিক অধিকাৰ পোৱা আৰু তেওঁৰ প্ৰতাপত
পৃথিৱী খন দীপ্তিময় হ'ল। ২ তেওঁ বলৱান মাতেৰে ৰিঙিয়াই ক'লে,
“পৰিল, পৰিল সেই বাবিল মহা-নগৰ! তাই ভূতবোৰৰ বাসস্থান হৈ
পৰিছে সকলো অশুচি আত্মাৰ কয়দখানা আৰু আটাই অশুচি আৰু
ঘিণলগীয়া চৰাই বাস কৰা ঠাই হ'ল। ৩ কিয়নো সকলো জাতি তাইৰ
ব্যভিচাৰৰ ক্ৰোধৰূপ দ্ৰাক্ষাৰসৰ দ্বাৰাই পতিত হ'ল৷ আৰু পৃথিৱীৰ
ৰজা সকলে তাইৰে সৈতে ব্যভিচাৰ কৰিলে, তাইৰ বিলাসিতা শক্তিৰ
প্ৰভাৱত পৃথিৱীৰ সদাগৰ সকল ধনৱন্ত হ'ল।” ৪ পাছত আন এক
আকাশ বাণীত এনেদৰে কোৱা শুনিলোঁ, “হে মোৰ লোক সকল,
তোমালোকে যেন তাইৰ পৰা ওলাই আহা যাতে তোমালোকে তাইৰ
পাপৰ অংশীদাৰ নোহোৱা আৰু তাইৰ উৎপাতৰ ভাগ নোপোৱা৷ ৫
কিয়নো তাইৰ পাপ স্বৰ্গলৈ বৃদ্ধি পালে, আৰু তাইৰ অপৰাধ ঈশ্বৰে
সোঁৱৰণ কৰিলে। ৬ তাই যি দৰে দিলে, তোমালোকেও তাইক
সেইদৰে প্ৰতিফল দিয়া, আৰু তাইৰ কৰ্ম অনুসাৰে দুগুণত দুগুণ
প্ৰতিফল দিয়া; যি পান-পাত্ৰত পেয় যুগুত কৰিলে, সেই পান-পাত্ৰত
তোমালোকেও তাইলৈ দুগুণ পেয় যুগুত কৰা। ৭ তাই যিমান গৌৰৱ
আৰু বিলাসিতা কৰিছিল তাইক সিমান যাতনা আৰু শোক দিয়া৷
কিয়নো তাই মনতে কয়, ‘মই ৰাণী হৈ বহি আছোঁ; মই বিধৱা নহওঁ

আৰু মই শোকৰ দিন কেতিয়াও নেদেখিম।' ৮ সেই বাবে তাইৰ
সকলো উৎপাত: মৃত্যু শোক আৰু আকাল; একেদিনাই উপস্থিত হ'ব৷
তাইক জুইত পুৰি পেলোৱা যাব, কিয়নো তাইৰ বিচাৰকৰ্তা প্ৰভু
পৰমেশ্বৰ বলৱান। ৯ পৃথিৱীৰ যি ৰজা সকলে তাইৰে সৈতে ব্যভিচাৰ
আৰু বিলাসিতা কৰিছিল, তেওঁলোকে তাইক পোৰাৰ ধুঁৱা যেতিয়া
দেখিব, তেতিয়া তাইৰ কাৰণে ক্ৰন্দন কৰি হিয়া ভুকুৱাব৷ ১০ তাইৰ
যাতনাৰ ভয়ত দুৰৈত থিয় হৈ এইদৰে ক'ব, "হায় হায়, বাবিল মহা-
নগৰ, তুমি সন্তাপৰ পাত্ৰ, পৰাক্ৰমী বাবিল নগৰ! কিয়নো এঘণ্টাৰ
ভিতৰতে তোমাৰ দণ্ডাজ্ঞা হ'ল।" ১১ পৃথিৱীৰ সদাগৰ সকলে তাইৰ
কাৰণে ক্ৰন্দন আৰু শোক কৰিছে, ১২ কিয়নো তেওঁলোকৰ বাণিজ্য-
দ্ৰব্য, অৰ্থাৎ সোণ, ৰূপ, বহুমূলীয়া মণি, মুকুতা, শণ সুতাৰ মিহি
কাপোৰ, বেঙেনা বৰণীয়া কাপোৰ, পাট কাপোৰ, উজ্বল ৰঙা বৰণীয়া
কাপোৰ, চন্দন আদি কাঠ, হাতী-দাঁতৰ আটাই পাত্ৰ আৰু বহুমুল্য
কাঠৰ, পিতলৰ, লোহাৰ আৰু মৰ্ম্মৰ শিলৰ সকলো পাত্ৰ, ১৩ ডালচেনি,
মচলা, ধূপ, সুগন্ধি তেল, ধুনা-এঁঠা, দ্ৰাক্ষাৰস, তেল, মিহি আটাগুড়ি,
ঘেঁহু ধান, মেৰ, ঘোঁৰা আৰু ৰথ, বন্দী মানুহ আৰু মানুহৰ প্ৰাণ, এতিয়া
কোনেও নিকিনে৷ ১৪ তোমাৰ প্ৰাণৰ অভিলাষিত ফলবোৰ তোমাৰ
পৰা গুচি গ'ল৷ সকলো শোভা আৰু দীপ্তি তোমাৰ পৰা নোহোৱা হৈ
গ'ল; সেইবোৰ কেতিয়াও পুনৰ নাপাবা। ১৫ এই সকলো বস্তুৰে যি
সদাগৰ সকল তাইৰ পৰা ধনৱন্ত হৈ গ'ল, তেওঁলোকে তাইৰ যাতনা
দেখি ভয়তে দুৰৈত থিয় হৈ, ক্ৰন্দন আৰু শোক কৰিব৷ ১৬ তেওঁলোকে
কব, "হায় হায়, সেই মহা-নগৰ সন্তাপৰ পাত্ৰ যি শণ সুতাৰ মিহি
কাপোৰ পিন্ধা, বেঙেনা বৰণীয়া আৰু উজ্বল ৰঙা বৰণীয়া কাপোৰ
পিন্ধা আৰু সোণ, বহুমুলীয়া মণি আৰু মুকুতাৰে অলঙ্কৃত হোৱা!" ১৭
এঘণ্টাৰ ভিতৰতে এই সকলো ধন-সম্পত্তি ধ্বংস হ'ল। জাহাজৰ
চাৰেং সকল, জাহাজেৰে ঠায়ে ঠায়ে অহা-যোৱা কৰা লোক সকল
আৰু নাৱিক সকলকে আদি কৰি যিমান সমুদ্ৰ-ব্যৱসায়ী লোক আছে,
সেই সকলোৱে দুৰৈত থিয় দি থাকিল৷ ১৮ তাইক পোৰাৰ ধুঁৱা দেখি
তেওঁলোকে ৰিঙিয়াই ক'লে, "এই মহা-নগৰ তুল্য কোন নগৰ আছে?"

১৯ আৰু তেওঁলোকে নিজৰ মুৰত ধুলি পেলাই ক্ৰন্দন আৰু শোক কৰি
ৰিঙিয়াই ক'লে, "হায় হায়, সেই মহা-নগৰ সন্তাপৰ পাত্ৰ যত সকলো
জাহাজৰ গৰাকী সকল সাগৰত থাকি যি নগৰ ধনৰ বাহুল্যতাৰ দ্বাৰাই
ধনৱন্ত হৈ গ'ল, এঘণ্টাৰ ভিতৰতে তাইৰ ধ্বংস হ'ল।" ২০ "হে স্বৰ্গ,
পবিত্ৰ লোক, পাঁচনি আৰু ভাববাদী সকল, তোমালোকে তাইৰ বিষয়ে
আনন্দ কৰা, কিয়নো ঈশ্বৰে তোমালোকৰ সোধ-বিচাৰ তাইৰ ওপৰত
কৰিলে!" ২১ পাছত এজন বলৱান দূতে এখন জাঁতৰ নিচিনা এচটা
ডাঙৰ শিল তুলি লৈ সাগৰত দলিয়াই ক'লে, "এইদৰে বাবিল মহা-
নগৰক বলেৰে পেলোৱা হ'ব, আৰু কেতিয়াও দেখা নাযাব। ২২
বীণা বজোৱা, গায়ন-বায়ন, বাঁহীবাদক আৰু কালি বজোৱা সকলৰ
মাত তোমাৰ মাজত আৰু কেতিয়াও শুনা নাযাব৷ আৰু কোনো প্ৰকাৰ
শিল্পকাৰী লোক তোমাৰ মাজত কেতিয়াও পোৱা নাযাব৷ জাঁত-
ঘৰৰ মাত তোমাৰ মাজত কেতিয়াও শুনা নাযাব; ২৩ চাকিৰ পোহৰ
তোমাৰ মাজত কেতিয়াও দেখা নাযাব৷ দৰা আৰু কন্যাৰ মাত তোমাৰ
মাজত কেতিয়াও শুনা নাযাব, কিয়নো তোমাৰ সদাগৰ সকল পৃথিৱীৰ
ৰাজকুমাৰ আছিল, আৰু তোমাৰ মায়াকৰ্ম্মৰ দ্বাৰাই সকলো জাতিবোৰ
ভ্ৰান্ত হ'ল। ২৪ ভাববাদী আৰু পবিত্ৰ লোক সকলকে আদি কৰি যিমান
লোকক পৃথিৱীত বধ কৰা হ'ল, সেই সকলোৰে তেজ এই নগৰৰ
ভিতৰত পোৱা গ'ল।"

**১৯** এইবোৰ ঘটনা ঘটাৰ পাছত, মই স্বৰ্গত থকা বৃহৎ এদল মানুহৰ
মহাধ্বনি শুনিলোঁ, বোলে, "হাল্লিলুয়া৷ পৰিত্ৰাণ, মহিমা আৰু পৰাক্ৰম
আমাৰ ঈশ্বৰৰ৷ ২ তেওঁৰ সকলো সোধ-বিচাৰ, সত্য আৰু ন্যায়; তেওঁ
সেই মহা-বেশ্যাৰ বিচাৰ কৰিলে সেই বেশ্যাই নিজৰ বেশ্যা-কৰ্মৰ
দ্বাৰা পৃথিৱী ভ্ৰষ্ট কৰিছিল৷ যি ৰক্তপাত তাইয়ে বোৱাইছিল, তেওঁ নিজৰ
সেই দাস সকলৰ ৰক্তপাতৰ প্ৰতিশোধ ল'লে, ।" ৩ আৰু তেওঁলোকে
পুণৰাই ক'লে, "হাল্লিলুয়া! আৰু তাইৰ ধোঁৱা চিৰকাল তাইৰ পৰা
উঠি থাকিব।" **(aiōn g165)** ৪ পাছত সেই চৌবিশ জন পৰিচাৰক আৰু
চাৰি জীৱিত প্ৰাণীয়ে সিংহাসনত বহি থকা ঈশ্বৰক দণ্ডৱতে আৰাধনা
কৰিলে৷ তেওঁলোকে কলে, "আমেন৷ হাল্লিলুয়া!" ৫ তেতিয়া সিংহাসনৰ

পৰা আৰু এটা মাত ওলাল, বোলে, “হে ঈশ্বৰৰ দাস সকল, হে তেওঁৰ
ভয়কাৰী সকল, তোমালোক সৰু বৰ সকলোৱে আমাৰ ঈশ্বৰৰ স্তুতি
কৰা।” ৬ পাছত বৃহৎ এদল মানুহৰ মাতৰ নিচিনা, নিনাদিত কৰা
পানীৰ মাতৰ নিচিনা আৰু ঘোৰ মেঘ-গৰ্জ্জনৰ মাতৰ দৰে এই বাণী
শুনিলোঁ, “হাল্লিলুয়া! কিয়নো যি জন প্ৰভু আৰু পৰমেশ্বৰ, আমাৰ
সকলোৰে শাসনকৰ্তা জনে, ৰাজত্ব গ্ৰহণ কৰিছে। ৭ আহা, আমি অতি
আনন্দেৰে উল্লাসিত হৈ তেওঁৰ মহিমা স্বীকাৰ কৰোঁহক; কিয়নো সেই
মেৰ-পোৱালিৰ বিবাহ উপস্থিত হ'ল; আৰু তেওঁৰ ভাৰ্যাই নিজকে যুগুত
কৰিলে।” ৮ আৰু পিন্ধিবৰ কাৰণে তাইক সন্মতিৰ সৈতে, শণ সুতাৰ
উজ্জল আৰু শুদ্ধ মিহি কাপোৰ দিয়া হ'ল; (কিয়নো সেই মিহি বস্ত্ৰ
পবিত্ৰ লোকৰ ধাৰ্মিকতা স্বৰূপ।) ৯ পাছত দূত জনে মোক ক'লে,
“তুমি এই কথা লিখা: মেৰ-পোৱালিৰ বিবাহৰ ভোজলৈ যি সকল
নিমন্ত্ৰিত হৈছে তেওঁলোক ধন্য।” তেওঁ মোক পুনৰ ক'লে, “এইবোৰ
ঈশ্বৰৰ সত্য বাক্য।” ১০ তেতিয়া তেওঁক প্ৰণিপাত কৰিবলৈ মই তেওঁৰ
চৰণত পৰিলো। কিন্তু তেওঁ মোক ক'লে, “সাৱধান, এনে নকৰিবা! মই
তোমাৰ সহদাস আৰু যীচুৰ সাক্ষ্য ধাৰণ কৰা তোমাৰ ভাই সকলৰো
সহদাস; ঈশ্বৰকহে প্ৰণিপাত কৰা, কিয়নো যীচুৰ সাক্ষ্যই ভাববাণীৰ
আত্মা।” ১১ তেতিয়া মই স্বৰ্গৰ দ্বাৰ মুকলি কৰা দেখিলোঁ; আৰু মই
চাওতে তাত এটা বগা ঘোঁৰা দেখিলোঁ; তাৰ ওপৰত উঠা জনক
বিশ্বাসী আৰু সত্য বোলে; তেওঁ ধাৰ্মিকতাৰে সোধ-বিচাৰ আৰু যুদ্ধ
কৰে। ১২ তেওঁৰ চকু অগ্নিশিখা আৰু তেওঁৰ মুৰত অনেক কিৰীটি
আছে৷ তেওঁৰ এটা নাম লিখা আছে কিন্তু সেই নাম তেওঁৰ বাহিৰে আন
কোনেও নাজানে। ১৩ তেওঁ পিন্ধা বস্ত্ৰ তেজত দুব মৰা; তেওঁৰ নাম
হ'ল- ঈশ্বৰৰ বাক্য৷ ১৪ স্বৰ্গীয় সৈন্য সকলে শণ সুতাৰ বগা আৰু শুদ্ধ
মিহি কাপোৰ পিন্ধি, বগা ঘোঁৰাবোৰৰ ওপৰত উঠি তেওঁৰ পাছে পাছে
গ'ল। ১৫ তেওঁ জাতি সকলক আঘাত কৰিবলৈ তেওঁৰ মুখৰ পৰা
এখন চোকা তৰোৱাল ওলায় আৰু তেওঁ লোহাৰ দণ্ডেৰে তেওঁলোকক
শাসন কৰিব; আৰু সৰ্বশক্তিমান ঈশ্বৰৰ প্ৰচণ্ড ক্ৰোধৰূপ দ্ৰাক্ষাৰসৰ
পেৰাশাল তেৰেঁই গচকে। ১৬ তেওঁৰ বস্ত্ৰত আৰু কৰঙণত, এই নাম

লিখা আছে, “ৰজাৰো ৰজা আৰু প্ৰভুৰো প্ৰভু।” ১৭ পাছত মই সুৰ্য্যত
থিয় হোৱা এজন দূত দেখিলোঁ; তেওঁৰ মুৰৰ ওপৰত আকাশত উড়ি
ফুৰা সকলো পক্ষীক বৰ মাতেৰে ৰিঙিয়াই ক'লে, “আহা, তোমালোকে
ঈশ্বৰৰ ভোজনৰ বাবে একলগ হোৱা। ১৮ তোমালোকে ৰজা সকলৰ
মঙহ, সেনাপতি সকলৰ মঙহ, শক্তিমন্ত সকলৰ মঙহ, ঘোঁৰা আৰু
তাত উঠি থকাবোৰৰ মঙহ, দুয়ো স্বাধীন আৰু দাস, সৰু আৰু বৰ
সকলোৰে মঙহ আহি খোৱা।” ১৯ পাছত সেই পশু আৰু পৃথিৱীৰ
ৰজা সকল আৰু তেওঁলোকৰ সৈন্যবোৰকো গোট খোৱা দেখিলোঁ।
তেওঁলোকে সেই ঘোঁৰাত উঠা জনৰ লগত তেওঁৰ সৈন্যৰ সৈতে যুদ্ধ
কৰিবলৈ ওলাই আহিছিল। ২০ তেতিয়া পশু আৰু তাৰে সৈতে যি ভাঁৰি-
কোৱা ভাববাদীয়ে তাৰ আগত আচৰিত চিন দেখুৱাইছিল, যাৰ দ্বাৰাই
সেই পশুৰ ছাব মাৰি লোৱা সকলক আৰু তাৰ প্ৰতিমূৰ্তিক প্ৰণিপাত
কৰাবোৰক ভুলাইছিল, সেই দুয়োকো বন্দী কৰা হ'ল আৰু গন্ধকেৰে
জ্বলি থকা জুইৰ সৰোবৰত, জীয়াই জীয়াই দুয়োকো পেলোৱা হ'ল।
**(Limnē Pyr g3041 g4442)** ২১ আৰু অৱশিষ্ট সকলক সেই ঘোঁৰাত উঠা
জনৰ মুখৰ পৰা ওলোৱা তৰোৱালৰ দ্বাৰাই বধ কৰা হ'ল; আৰু সকলো
চৰাইবোৰ সিহঁতৰ মঙহেৰে তৃপ্ত হ'ল।

২০ তেতিয়া মই এজন দূতক স্বৰ্গৰ পৰা নামি অহা দেখিলোঁ, তেওঁৰ
হাতত সেই অগাধ ঠাইৰ চাবি আৰু এডাল বৰ শিকলি আছিল।
**(Abyssos g12)** ২ তেওঁ সেই ড্ৰেগন, সেই পুৰণি সৰ্প; যি দিয়াবল আৰু
চয়তান, তাক ধৰি, এহেজাৰ বছৰলৈ বান্ধি ৰাখিলে। দূত জনে সেই
অগাধ ঠাইত তাক পেলাই দি, সেই ঠাইৰ মুখ বন্ধ কৰিলে, আৰু তাৰ
ওপৰত চাব মাৰি দিলে। ৩ তাক এনেদৰে অগাধ ঠাইত পেলাই দিয়াৰ
কাৰণ এয়ে যে, সি যেন জাতিবোৰক, যেতিয়ালৈ সেই এহেজাৰ বছৰ
পুৰ নহয়, তেতিয়ালৈকে ভুলাব নোৱাৰে। তাৰ পাছত অলপ কালৰ
বাবে সি মুক্ত হ'ব লাগিব। **(Abyssos g12)** ৪ পাছত মই কেইখন মান
সিংহাসন দেখিলোঁ। সেইবোৰৰ ওপৰত যি লোক সকল বহি আছিল,
তেওঁলোকক সোধ-বিচাৰৰ ভাৰ দিয়া হ'ল; আৰু মই সেই লোক
সকলৰ জীৱাত্মা দেখিলোঁ; যি সকলক যীচুৰ সাক্ষ্যৰ কাৰণে আৰু

ঈশ্বৰৰ বাক্যৰ কাৰণে মুৰ ছেদন কৰা হৈছিল আৰু যি সকলে সেই পশু
বা তাৰ প্ৰতিমূৰ্তিক প্ৰণিপাত কৰা নাছিল আৰু নিজৰ কপালত আৰু
হাতত তাৰ ছাব লোৱা নাছিল, তেওঁলোকে জীৱিত হ'ল আৰু এহেজাৰ
বছৰ খ্ৰীষ্টৰ সৈতে ৰাজত্ব কৰিলে। ৫ মৃত সকলৰ অৱশিষ্ট লোক সেই
হাজাৰ বছৰ পুৰ নহোৱালৈকে জীৱিত নহ'ল। এয়ে প্ৰথম পুনৰুত্থান।
৬ যি জনে এই প্ৰথম উত্থানৰ ভাগী হয়, তেওঁ ধন্য আৰু পবিত্ৰ লোক৷
তেওঁলোকৰ ওপৰত দ্বিতীয় মৃত্যুৰ কোনো ক্ষমতা নাই; তেওঁলোক
ঈশ্বৰৰ আৰু খ্ৰীষ্টৰ পুৰোহিত হৈ তেৰেঁ সৈতে এহেজাৰ বছৰ ৰাজত্ব
কৰিব। ৭ যেতিয়া সেই হাজাৰ বছৰ পুৰ হব, চয়তান নিজ বন্দীশালৰ
পৰা মুক্ত হব আৰু, ৮ তেতিয়া সি ওলাই আহি, পৃথিৱীৰ চাৰি চুকত
থকা গোগ আৰু মাগোগ জাতি সকলক ভুলাই, সৈন্যৰ দল যোগাৰ
কৰি, ৰণলৈ গোট খুৱাব। তেওঁলোকৰ সংখ্যা সাগৰৰ বালিৰ সমান
হব৷ ৯ সিহঁতে পৃথিৱীৰ বিস্তাৰেদি গৈ, পবিত্ৰ লোক সকলৰ ছাউনি
আৰু প্ৰিয় নগৰ বেৰি ধৰিলে; কিন্তু স্বৰ্গৰ পৰা জুই পৰি, সিহঁতক
গ্ৰাস কৰিলে। ১০ আৰু সিহঁতক ভুলুৱা চয়তানক, গন্ধক আৰু জুইৰ
সৰোবৰত পেলোৱা হ'ল যত সেই পশু আৰু ভাঁৰি-কোৱা ভাববাদীও
আছে; আৰু সিহঁতে চিৰকাললৈকে দিনে-ৰাতিয়ে যাতনা ভোগ কৰিব।
**(aiōn g165, Limnē Pyr g3041 g4442)** ১১ তাৰ পাছত মই এখন ডাঙৰ
বগা সিংহাসন, আৰু তাৰ ওপৰত বহি থকা জনক দেখিলোঁ; তেওঁৰ
উপস্থিতিত পৃথিৱী আৰু আকাশমণ্ডল পলাই গ'ল কিন্তু সেইবোৰৰ
কাৰণে যাবলৈ ঠাই পুনৰ পোৱা নগ'ল। ১২ সেই সিংহাসনৰ আগত
সৰু বৰ সকলো মৃত সকলক থিয় হৈ থকা দেখিলোঁ; আৰু কেইখন মান
পুস্তক মেলা হ'ল; পাছত আৰু এখন পুস্তক মেলা হ'ল- জীৱন পুস্তক৷
সেই পুস্তকবোৰত লিখা মতে মৃত সকলৰ নিজ নিজ কৰ্ম অনুসাৰে
সোধ-বিচাৰ কৰা হ'ল। ১৩ তেতিয়া সাগৰে নিজৰ লগত থকা মৃত
সকলক শোধাই দিলে; মৃত্যু আৰু পৰলোকেও নিজৰ লগত থকা মৃত
সকলক শোধাই দিলে; তাতে সেই মৃত লোক সকলক নিজ নিজ কৰ্ম
অনুসাৰে সোধ-বিচাৰ কৰা হ'ল। **(Hadēs g86)** ১৪ পাছত মৃত্যু আৰু
পৰলোকক সেই জুইৰ সৰোবৰত পেলোৱা হ'ল। সেয়েই অৰ্থাৎ অগ্নিৰ


সৰোবৰেই দ্বিতীয় মৃত্যু; (Hadēs g86, Limnē Pyr g3041 g4442) ১৫ আৰু
জীৱন পুস্তকত যি কোনো জনৰ নাম পোৱা নগ'ল, তেওঁলোকক সেই
জুইৰ সৰোবৰত পেলোৱা হ'ল। (Limnē Pyr g3041 g4442)
**২১** তাৰ পাছত মই নতুন আকাশমণ্ডল আৰু নতুন পৃথিৱী দেখিলোঁ;
কিয়নো প্ৰথম আকাশমণ্ডল আৰু প্ৰথম পৃথিৱী গুচি গ'ল; সমুদ্ৰও
নাছিল। ২ আৰু দৰাৰ কাৰণে বিভূষিতা কন্যা যেনে, তেনেকৈ যুগুত
হোৱা, সেই পবিত্ৰ নগৰ নতুন যিৰূচালেমক, ঈশ্বৰৰ পৰা, অৰ্থাৎ স্বৰ্গৰ
পৰা নমা দেখিলোঁ। ৩ পাছত মই সেই সিংহাসনৰ পৰা এই মহা
আকাশ-বাণী শুনিলোঁ, “সৌৱা চোৱা!” লোক সকলৰ সহিত ঈশ্বৰৰ
নিবাস আৰু তেওঁলোকৰ সহিত তেওঁ নিবাস কৰিব৷ তেওঁলোক তেওঁৰ
নিজ লোক হব, আৰু ঈশ্বৰ নিজে সঙ্গী হৈ তেওঁলোকৰ ঈশ্বৰ হ'ব৷
৪ তেওঁলোকৰ চকুৰ পৰা আটাই চকুলো মচি গুচাব; তাতে মৃত্যু
পুনৰ নহব; শোক বা ক্ৰন্দন বা বেদনাও পুনৰ নহব৷ আগৰবোৰ
গুচি গ'ল। ৫ পাছত সিংহাসনৰ ওপৰত বহা জনে কলে, “চোৱা! মই
সকলোকে নতুন কৰোঁ।” তেওঁ পুনৰ কলে, “লিখা, কিয়নো এইবোৰ
কথা বিশ্বাসযোগ্য আৰু সত্য।” ৬ পাছত তেওঁ মোক কলে, “এই
সকলো হ'ল! মই আলফা আৰু ওমেগা, আদি আৰু অন্ত। পিয়াহ লগা
জনক মই জীৱন-জলৰ ভুমুকৰ পানী বিনামুল্যে দিম। ৭ যি জনে
জয় কৰে, তেওঁ এইবোৰৰ অধিকাৰী হ'ব; মই তেওঁৰ ঈশ্বৰ হ'ম
আৰু তেওঁ মোৰ পুত্ৰ হ'ব। ৮ কিন্তু যি সকল ভয়াতুৰ, অবিশ্বাসী,
ঘিণলগীয়া, নৰবধী, ব্যভীচাৰি, মায়াবী, মূৰ্তিপূজক আৰু সকলো
মিছলীয়া সকলে জ্বলি থকা গন্ধক আৰু জুইৰ সৰোবৰত নিজ নিজ ভাগ
পাব৷ সেয়াই দ্বিতীয় মৃত্যু।” (Limnē Pyr g3041 g4442) ৯ তেতিয়া শেষৰ
সাত উৎপাতেৰে পৰিপূৰ্ণ সাতোটা বাটি লোৱা সাত জন দূতৰ এজন
আহিল, আৰু মোৰ ওচৰলৈ আহি কলে, “ইয়ালৈ আহা৷ মই তোমাক
সেই কন্যা, অৰ্থাৎ মেৰ-পোৱালিৰ ভাৰ্যাক দেখুৱাম।” ১০ তাতে তেওঁ
মোক আত্মাত এখন ডাঙৰ ওখ পৰ্বতলৈ নিলে, আৰু ঈশ্বৰৰ পৰা,
অৰ্থাৎ স্বৰ্গৰ পৰা নামি অহা ঈশ্বৰৰ প্ৰভাৱ-যুক্ত সেই পবিত্ৰ যিৰূচালেম
নগৰ দেখুৱালে। ১১ সেই নতুন যিৰূচালেম ঈশ্বৰৰ মহিমাৰে পূৰ্ণ

আছিল আৰু তাৰ জ্যোতি বহুমূলীয়া মণি, অৰ্থাৎ স্ফটিকৰ দৰে নিৰ্ম্মল
সূৰ্য্যকান্ত মণিৰ নিচিনা আছিল৷ ১২ তাত ওখ আৰু ডাঙৰ গড় আৰু বাৰ
খন দ্বাৰ আছিল; সেই বাৰ খন দ্বাৰত বাৰ জন দূত থাকে আৰু সেই
দ্বাৰত ইস্রায়েলৰ সন্তান সকলৰ বাৰ ফৈদৰ নাম লিখা আছিল৷ ১৩
তাৰে তিনি খনৰ দ্বাৰ পূব ফালে, তিনি খন দ্বাৰ উত্তৰ ফালে, তিনি খন
দ্বাৰ দক্ষিণ ফালে আৰু তিনি খন দুৱাৰ পশ্চিম ফালে। ১৪ আৰু নগৰৰ
গড়ৰ বাৰটা ভিত্তিমূল; তাত মেৰ-পোৱালিৰ বাৰ জন পাঁচনিৰ বাৰটা
নাম আছে। ১৫ আৰু সেই নগৰ আৰু তাৰ দুৱাৰবোৰ আৰু তাৰ গড়
জুখিবৰ কাৰণে, মোৰে সৈতে কথা হোৱা জনৰ সোণৰ নলৰ এডাল
জোখ আছিল। ১৬ সেই নগৰ চাৰি-চুকীয়া, তাৰ দীঘে-পথালিয়ে
সমান। পাছত তেওঁ নলেৰে নগৰ খনৰ জোখ লৈ পোন্ধৰ শ মাইল
পালে; দীঘে-পথালিয়ে আৰু উচ্চতাত সমান। ১৭ পাছত গড় জুখি,
মানুহৰ অৰ্থাৎ দূতৰ জোখ ডালেৰে এশ চৌৱাল্লিশ হাত হ'ল। ১৮
সেই গড়ৰ গাঁঠনি সূৰ্য্যকান্ত মণিৰ আৰু নগৰ খন শুদ্ধ সোণৰ পৰিস্কাৰ
দৰ্পণৰ নিচিনা। ১৯ নগৰৰ গড়ৰ ভিত্তিমূলবোৰ আটাইবিধ বহুমূলীয়া
মণিৰে বিভূষিত আছিল। ২০ প্ৰথম মূল সূৰ্য্যকান্তৰ, দ্বিতীয় নীলকান্তৰ,
তৃতীয় তাম্ৰমণিৰ, চতুৰ্থ মৰকতৰ, পঞ্চম বৈদুৰ্য্যৰ, ষষ্ঠ চাৰ্দ্দীয় মণিৰ,
সপ্তম স্বৰ্ণমণিৰ, অষ্টম গোমেদকৰ, নৱম পদ্মৰাগৰ, দশম লশুনীয়ৰ,
একাদশ পেৰোজৰ, দ্বাদশ কটাহেলাৰ আছিল। ২১ সেই বাৰটা দ্বাৰত
বাৰটা মুকুতা আছিল, আৰু প্ৰত্যেকটো দ্বাৰে এটা এটা মুকুতাৰে
সজা হৈছিল৷ নগৰৰ আলিবাট শুদ্ধ সোণৰ আৰু পৰিস্কাৰ দৰ্পণৰ
নিচিনা আছিল। ২২ তাৰ ভিতৰত মই কোনো মন্দিৰ নেদেখিলোঁ,
কিয়নো সৰ্ব্বশক্তিমান প্ৰভু পৰমেশ্বৰ আৰু সেই মেৰ-পোৱালি জনে
তাৰ মন্দিৰ। ২৩ সেই নগৰত দীপ্তিৰ বাবে সূৰ্য বা চন্দ্ৰৰ প্ৰয়োজন
নাই; কিয়নো তাত ঈশ্বৰৰ প্ৰতাপে দীপ্তি দিয়ে, আৰু মেৰ-পোৱালি
জন তাৰ প্ৰদীপ স্বৰূপ। ২৪ জাতিবোৰে সেই দীপ্তিত অহা-যোৱা
কৰিব; আৰু পৃথিৱীৰ ৰজা সকলে নিজৰ প্ৰতাপ তাৰ ভিতৰলৈ আনিব।
২৫ তাৰ দ্বাৰবোৰ দিনত কেতিয়াও বন্ধ নহব; কিয়নো তাত ৰাতি
নহব; ২৬ তেওঁলোকে জাতি সকলৰ প্ৰতাপ আৰু মৰ্যদা তাৰ ভিতৰলৈ

আনিব। ২৭ আৰু কোনো অশুচি বস্তু তাৰ ভিতৰত প্ৰৱেশ নকৰিব৷
সেয়েহে তাতে ঘিণলগীয়া কৰ্ম কৰা আৰু মিছা কথা কোৱা কোনেও
তাৰ ভিতৰত কেতিয়াও প্ৰৱেশ নকৰিব, কিন্তু কেৱল যি সকলৰ
নাম সেই মেৰ-পোৱালিৰ জীৱন পুস্তকত লিখা আছে, তেওঁলোকেহে
ভিতৰত প্ৰৱেশ কৰিব৷

২২ পাছত সেই দূত জনে মোক জীৱন-জলৰ সেই নদী দেখুৱালে,
সেই পানী স্ফটিকৰ নিচিনা উজ্জ্বল৷ ঈশ্বৰ আৰু মেৰ-পোৱালিৰ সেই
সিংহাসনৰ পৰা সেই নদী, ২ তাৰ আলিবাটৰ মাজেৰে বৈ গৈছিল।
সেই নদীৰ ইপাৰে-সিপাৰে জীৱন-বৃক্ষ আছিল; সেই বৃক্ষই বাৰ বিধ
ফল উৎপন্ন কৰিছিল আৰু প্ৰতি মাহে তাত ফল ধৰে৷ সেই বৃক্ষৰ পাত
জাতি সকলক সুস্থ কৰাৰ কাৰণে। ৩ তাতে কোনো শাও নহ'ব। সেই
নগৰত ঈশ্বৰ আৰু সেই মেৰ-পোৱালিৰ সিংহাসন থাকিব আৰু তেওঁৰ
দাস সকলে তেওঁক সেৱা কৰিব৷ ৪ তেওঁলোকে তেওঁৰ মুখ দেখা পাব;
আৰু তেওঁলোকৰ কপালত তেওঁৰ নাম লিখা থাকিব। ৫ তাতে ৰাতিও
নহ'ব; আৰু চাকিৰ পোহৰ বা সূৰ্যৰ পোহৰ তেওঁলোকৰ প্ৰয়োজন নহব;
কিয়নো প্ৰভু পৰমেশ্বৰে তেওঁলোকক দীপ্তি দিব আৰু তেওঁলোকে
চিৰকাল ৰাজত্ব কৰিব। (aiōn g165) ৬ পাছত দূত জনে মোক ক'লে,
"এইবোৰ কথা বিশ্বাসযোগ্য আৰু সত্য; ঈশ্বৰ, যি জন ভাববাদী
সকলৰ আত্মাৰ প্ৰভু, তেওঁ তেওঁৰ দাস সকলক যি যি অলপতে ঘটিব
লগা আছে সেই বিষয়ে দেখুৱাবলৈ নিজ দূতক পঠিয়ালে৷" ৭ "আৰু
চোৱা! মই বেগাই আহি আছোঁ; যি জনে এই পুস্তকৰ ভাববাণীৰ
কথাবোৰ পালন কৰে, তেওঁ ধন্য।" ৮ মই, যোহনেই এইবোৰ কথা
শুনিলোঁ আৰু এই সকলো দেখিলোঁ; যেতিয়া মই এনে শুনি-দেখি
সেই দূত জনক যি জনে এই সকলোকে মোক দেখুৱালে তেওঁক
প্ৰণিপাত কৰিবলৈ তেওঁৰ চৰণত পৰিলো। ৯ তেতিয়া তেওঁ মোক
ক'লে, "সাৱধান, এনে নকৰিবা! মইয়ো তোমাৰ সহদাস আৰু তোমাৰ
ভাই ভাববাদী সকলৰ আৰু এই পুস্তকত লিখা বাক্য পালন কৰোঁতা
সকলৰো সহদাস; ঈশ্বৰকহে প্ৰণিপাত কৰা।" ১০ পুনৰায় তেওঁ মোক
কলে, "এই পুস্তকৰ ভাববাণী কৰা বাক্যবোৰ ছাব মাৰি বন্ধ নকৰিবা,

কিয়নো কাল ওচৰ চাপিছে। ১১ যি জন অন্যায়কাৰী, তেওঁক পুনৰ
অন্যায় কৰি থাকিবলৈ দিয়া; যি জন কলঙ্কী, তেওঁ পুনৰ কলঙ্ক কৰি
থাকক; যি জন ধাৰ্মিক, তেওঁ পুনৰ ধৰ্ম আচৰণ কৰক; যি জন পবিত্ৰ
লোক, তেওঁ পবিত্ৰ হৈ থাকক।" ১২ "চোৱা! মই বেগাই আহি আছোঁ;
মই দিবলগীয়া পুৰস্কাৰ মোৰ লগত আছে, যাৰ যেনে কৰ্ম, তেওঁক
তেনে প্ৰতিফল দিয়া হব৷ ১৩ মই আলফা আৰু ওমেগা, প্ৰথম আৰু
শেষ, আদি আৰু অন্ত। ১৪ যি সকল জীৱন-বৃক্ষৰ অধিকাৰী আৰু
দুৱাৰেদি নগৰত সোমাবৰ কাৰণে নিজ নিজ বস্ত্ৰ ধোৱে, সেই লোক
সকল ধন্য৷ ১৫ কিন্তু বাহিৰৰ কুকুৰবোৰ, মায়াবীবোৰ, ব্যভীচাৰিবোৰ,
নৰবধীবোৰ আৰু মূৰ্তিপূজকবোৰ আৰু মিছা কথাক প্ৰেম কৰা আৰু
মিছা কথাক অভ্যাস প্ৰতিজন লোক বাহিৰত থাকে। ১৬ মই যীচুৱে,
মণ্ডলী সমূহৰ কাৰণে তোমালোকক এইবোৰ কথাৰ সাক্ষ্য দিবলৈ,
মোৰ দূতক পঠালোঁ। মই দায়ুদৰ মূল আৰু বংশ, উজ্জ্বল প্ৰভাতীয়
তৰা।" ১৭ আত্মা আৰু কন্যাই কয় "আহা!" আৰু যি জনাই শুনে,
তেৱোঁ কয়, "আহা৷" যি জনৰ পিয়াহ লাগে, তেওঁ আহক আৰু যি
জনে ইচ্ছা কৰে, তেওঁ বিনামূল্যে জীৱন জল গ্ৰহণ কৰক। ১৮ এই
পুস্তকৰ ভাববাণীৰ বাক্য শুনা প্ৰতিজনলৈ মই এই সাক্ষ্য দি কৈছোঁ:
কোনোৱে যদি এই বাক্যবোৰত কিবা যোগ কৰে, তেনেহলে এই
পুস্তকত লিখা উৎপাতবোৰো ঈশ্বৰে সেই জনৰ ওপৰত যোগ কৰিব;
১৯ আৰু কোনোৱে যদি এই ভাববাণীৰ পুস্তকৰ বাক্যবোৰৰ পৰা কিবা
গুচায়, তেনেহলে এই পুস্তকত লিখা জীৱন-বৃক্ষ আৰু পবিত্ৰ নগৰৰ
পৰা ঈশ্বৰে তেওঁৰ ভাগ গুচাব। ২০ যি জনে এই কথাৰ সাক্ষ্য দিছে,
তেৱেঁ কৈছে, "হয়! মই বেগাই আহি আছোঁ।" আমেন! হে প্ৰভু যীচু,
আহক! ২১ প্ৰভু যীচুৰ অনুগ্ৰহ সকলোৰে লগত থাকক; আমেন।




আৰু দৰাৰ কাৰণে বিভূষিতা কন্যা যেনে, তেনেকৈ যুগুত হোৱা, সেই পবিত্ৰ নগৰ নতুন যিৰূচালেমক, ঈশ্বৰৰ পৰা,
অৰ্থাৎ স্বৰ্গৰ পৰা নমা দেখিলোঁ। পাছত মই সেই সিংহাসনৰ পৰা এই মহা আকাশ-বাণী শুনিলোঁ, “সৌৱা চোৱা!”
লোক সকলৰ সহিত ঈশ্বৰৰ নিবাস আৰু তেওঁলোকৰ সহিত তেওঁ নিবাস কৰিব৷ তেওঁলোক তেওঁৰ নিজ লোক হব,
আৰু ঈশ্বৰ নিজে সঙ্গী হৈ তেওঁলোকৰ ঈশ্বৰ হ’ব৷
প্ৰকাশিত বাক্য ২১:২-৩

# পাঠকৰ সহায়িকা

অসমীয়া at AionianBible.org/Readers-Guide

The Aionian Bible republishes public domain and Creative Common Bible texts that are 100% free to copy and print. The original translation is unaltered and notes are added to help your study. The notes show the location of eleven special Greek and Hebrew Aionian Glossary words to help us better understand God's love for individuals and for all mankind, and the nature of afterlife destinies.

Who has the authority to interpret the Bible and examine the underlying Hebrew and Greek words? That is a good question! We read in 1 John 2:27, *"As for you, the anointing which you received from him remains in you, and you do not need for anyone to teach you. But as his anointing teaches you concerning all things, and is true, and is no lie, and even as it taught you, you remain in him."* Every Christian is qualified to interpret the Bible! Now that does not mean we will all agree. Each of us is still growing in our understanding of the truth. However, it does mean that there is no infallible human or tradition to answer all our questions. Instead the Holy Spirit helps each of us to know the truth and grow closer to God and each other.

The Bible is a library with 66 books in the Protestant Canon. The best way to learn God's word is to read entire books. Read the book of Genesis. Read the book of John. Read the entire Bible library. Topical studies and cross-referencing can be good. However, the safest way to understand context and meaning is to read whole Bible books. Chapter and verse numbers were added for convenience in the 16th century, but unfortunately they can cause the Bible to seem like an encyclopedia. The Aionian Bible is formatted with simple verse numbering, minimal notes, and no cross-referencing in order to encourage the reading of Bible books.

Bible reading must also begin with prayer. Any Christian is qualified to interpret the Bible with God's help. However, this freedom is also a responsibility because without the Holy Spirit we cannot interpret accurately. We read in 1 Corinthians 2:13-14, *"And we speak of these things, not with words taught by human wisdom, but with those taught by the Spirit, comparing spiritual things with spiritual things. Now the natural person does not receive the things of the Spirit of God, for they are foolishness to him, and he cannot understand them, because they are spiritually discerned."* So we cannot understand in our natural self, but we can with God's help through prayer.

The Holy Spirit is the best writer and he uses literary devices such as introductions, conclusions, paragraphs, and metaphors. He also writes various genres including historical narrative, prose, and poetry. So Bible study must spiritually discern and understand literature. Pray, read, observe, interpret, and apply. Finally, *"Do your best to present yourself approved by God, a worker who does not need to be ashamed, properly handling the word of truth."* 2 Timothy 2:15. *"God has granted to us his precious and exceedingly great promises; that through these you may become partakers of the divine nature, having escaped from the corruption that is in the world by lust. Yes, and for this very cause adding on your part all diligence, in your faith supply moral excellence; and in moral excellence, knowledge; and in knowledge, self-control; and in self-control patience; and in patience godliness; and in godliness brotherly affection; and in brotherly affection, love. For if these things are yours and abound, they make you to be not idle nor unfruitful to the knowledge of our Lord Jesus Christ,"* 2 Peter 1:4-8.

# শব্দমালা

অসমীয়া at AionianBible.org/Glossary

The Aionian Bible un-translates and instead transliterates eleven special words to help us better understand the extent of God’s love for individuals and all mankind, and the nature of afterlife destinies. The original translation is unaltered and a note is added to 64 Old Testament and 200 New Testament verses. Compare the meanings below to the Strong's Concordance and Glossary definitions.

***Abyssos*** g12
*Greek:* proper noun, place
*Usage:* 9 times in 3 books, 6 chapters, and 9 verses
*Meaning:*
Temporary prison for special fallen angels such as Apollyon, the Beast, and Satan.

***aïdios*** g126
*Greek:* adjective
*Usage:* 2 times in Romans 1:20 and Jude 6
*Meaning:*
Lasting, enduring forever, eternal.

***aiōn*** g165
*Greek:* noun
*Usage:* 127 times in 22 books, 75 chapters, and 102 verses
*Meaning:*
A lifetime or time period with a beginning and end, an era, an age, the completion of which is beyond human perception, but known only to God the creator of the aiōns, Hebrews 1:2. Never meaning simple endless or infinite chronological time in Greek usage. Read Dr. Heleen Keizer and Ramelli and Konstan for proofs.

***aiōnios*** g166
*Greek:* adjective
*Usage:* 71 times in 19 books, 44 chapters, and 69 verses
*Meaning:*
From start to finish, pertaining to the age, lifetime, entirety, complete, or even consummate. Never meaning simple endless or infinite chronological time in Koine Greek usage. Read Dr. Heleen Keizer and Ramelli and Konstan for proofs.

***eleēsē*** g1653
*Greek:* verb, aorist tense, active voice, subjunctive mood, 3rd person singular
*Usage:* 1 time in this conjugation, Romans 11:32
*Meaning:*
To have pity on, to show mercy. Typically, the subjunctive mood indicates possiblity, not certainty. However, a subjunctive in a purpose clause is a resulting action as certain as the causal action. The subjunctive in a purpose clause functions as an indicative, not an optative. Thus, the grand conclusion of grace theology in Romans 11:32 must be clarified. God's mercy on all is not a possibility, but a certainty. See ntgreek.org.

***Geenna*** g1067
*Greek:* proper noun, place
*Usage:* 12 times in 4 books, 7 chapters, and 12 verses
*Meaning:*
Valley of Hinnom, Jerusalem's trash dump, a place of ruin, destruction, and judgment in this life, or the next, though not eternal to Jesus' audience.

***Hadēs*** g86
*Greek:* proper noun, place
*Usage:* 11 times in 5 books, 9 chapters, and 11 verses
*Meaning:*
Synonomous with Sheol, though in New Testament usage Hades is the temporal place of punishment for deceased unbelieving mankind, distinct from Paradise for deceased believers.

***Limnē Pyr*** g3041 g4442
*Greek:* proper noun, place
*Usage:* Phrase 5 times in the New Testament
*Meaning:*
Lake of Fire, final punishment for those not named in the Book of Life, prepared for the Devil and his angels, Matthew 25:41.

***Sheol*** h7585
*Hebrew:* proper noun, place
*Usage:* 66 times in 17 books, 50 chapters, and 64 verses
*Meaning:*
The grave or temporal afterlife world of both the righteous and unrighteous, believing and unbelieving, until the general resurrection.

***Tartaroō*** g5020
*Greek:* proper noun, place
*Usage:* 1 time in 2 Peter 2:4
*Meaning:*
Temporary prison for particular fallen angels awaiting final judgment.

# শব্দমালা +

AionianBible.org/Bibles/Assamese---Assamese-Bible/Noted

Glossary references are below. Strong's Hebrew and Greek number notes are added to 64 Old Testament and 200 New Testament verses. Questioned verse translations do not contain Aionian Glossary words and may wrongly imply *eternal* or *Hell*. * The note placement is skipped or adjusted for verses with non-standard numbering.

## *Abyssos*

লূক ৮:৩১
ৰোমীয়া ১০:৭
প্রকাশিত বাক্য ৯:১
প্রকাশিত বাক্য ৯:২
প্রকাশিত বাক্য ৯:১১
প্রকাশিত বাক্য ১১:৭
প্রকাশিত বাক্য ১৭:৮
প্রকাশিত বাক্য ২০:১
প্রকাশিত বাক্য ২০:৩

## *aïdios*

ৰোমীয়া ১:২০
যিহূদা ১:৬

## *aiōn*

মথি ১২:৩২
মথি ১৩:২২
মথি ১৩:৩৯
মথি ১৩:৪০
মথি ১৩:৪৯
মথি ২১:১৯
মথি ২৪:৩
মথি ২৮:২০
মাৰ্ক ৩:২৯
মাৰ্ক ৪:১৯
মাৰ্ক ১০:৩০
মাৰ্ক ১১:১৪
লূক ১:৩৩
লূক ১:৫৫
লূক ১:৭০
লূক ১৬:৮
লূক ১৮:৩০
লূক ২০:৩৪
লূক ২০:৩৫
যোহন ৪:১৪
যোহন ৬:৫১
যোহন ৬:৫৮
যোহন ৮:৩৫
যোহন ৮:৫১
যোহন ৮:৫২
যোহন ৯:৩২
যোহন ১০:২৮
যোহন ১১:২৬
যোহন ১২:৩৪
যোহন ১৩:৮
যোহন ১৪:১৬
পাঁচনি ৩:২১
পাঁচনি ১৫:১৮
ৰোমীয়া ১:২৫
ৰোমীয়া ৯:৫
ৰোমীয়া ১১:৩৬
ৰোমীয়া ১২:২
ৰোমীয়া ১৬:২৭
১ কৰিন্থীয়া ১:২০
১ কৰিন্থীয়া ২:৬
১ কৰিন্থীয়া ২:৭
১ কৰিন্থীয়া ২:৮
১ কৰিন্থীয়া ৩:১৮
১ কৰিন্থীয়া ৮:১৩
১ কৰিন্থীয়া ১০:১১
২ কৰিন্থীয়া ৪:৪
২ কৰিন্থীয়া ৯:৯
২ কৰিন্থীয়া ১১:৩১
গালাতীয়া ১:৪
গালাতীয়া ১:৫
ইফিচীয়া ১:২১
ইফিচীয়া ২:২
ইফিচীয়া ২:৭
ইফিচীয়া ৩:৯
ইফিচীয়া ৩:১১
ইফিচীয়া ৩:২১
ইফিচীয়া ৬:১২
ফিলিপীয়া ৪:২০
কলচীয়া ১:২৬
১ তীমথিয় ১:১৭
১ তীমথিয় ৬:১৭
২ তীমথিয় ৪:১০
২ তীমথিয় ৪:১৮
তীত ২:১২
ইব্ৰী ১:২
ইব্ৰী ১:৮
ইব্ৰী ৫:৬
ইব্ৰী ৬:৫
ইব্ৰী ৬:২০
ইব্ৰী ৭:১৭
ইব্ৰী ৭:২১
ইব্ৰী ৭:২৪
ইব্ৰী ৭:২৮
ইব্ৰী ৯:২৬
ইব্ৰী ১১:৩
ইব্ৰী ১৩:৮
ইব্ৰী ১৩:২১
১ পিতৰ ১:২৩
১ পিতৰ ১:২৫
১ পিতৰ ৪:১১
১ পিতৰ ৫:১১
২ পিতৰ ৩:১৮
১ যোহন ২:১৭
২ যোহন ১:২
যিহূদা ১:১৩
যিহূদা ১:২৫
প্রকাশিত বাক্য ১:৬
প্রকাশিত বাক্য ১:১৮
প্রকাশিত বাক্য ৪:৯
প্রকাশিত বাক্য ৪:১০
প্রকাশিত বাক্য ৫:১৩
প্রকাশিত বাক্য ৭:১২
প্রকাশিত বাক্য ১০:৬
প্রকাশিত বাক্য ১১:১৫
প্রকাশিত বাক্য ১৪:১১
প্রকাশিত বাক্য ১৫:৭
প্রকাশিত বাক্য ১৯:৩
প্রকাশিত বাক্য ২০:১০
প্রকাশিত বাক্য ২২:৫

## *aiōnios*

মথি ১৮:৮
মথি ১৯:১৬
মথি ১৯:২৯
মথি ২৫:৪১
মথি ২৫:৪৬
মাৰ্ক ৩:২৯
মাৰ্ক ১০:১৭
মাৰ্ক ১০:৩০
লূক ১০:২৫
লূক ১৬:৯
লূক ১৮:১৮
লূক ১৮:৩০
যোহন ৩:১৫
যোহন ৩:১৬
যোহন ৩:৩৬
যোহন ৪:১৪
যোহন ৪:৩৬
যোহন ৫:২৪
যোহন ৫:৩৯
যোহন ৬:২৭
যোহন ৬:৪০
যোহন ৬:৪৭
যোহন ৬:৫৪
যোহন ৬:৬৮

যোহন ১০:২৮
যোহন ১২:২৫
যোহন ১২:৫০
যোহন ১৭:২
যোহন ১৭:৩
পাঁচনি ১৩:৪৬
পাঁচনি ১৩:৪৮
ৰোমীয়া ২:৭
ৰোমীয়া ৫:২১
ৰোমীয়া ৬:২২
ৰোমীয়া ৬:২৩
ৰোমীয়া ১৬:২৫
ৰোমীয়া ১৬:২৬
২ কৰিন্থীয়া ৪:১৭
২ কৰিন্থীয়া ৪:১৮
২ কৰিন্থীয়া ৫:১
গালাতীয়া ৬:৮
২ থিচলনীকীয়া ১:৯
২ থিচলনীকীয়া ২:১৬
১ তীমথিয় ১:১৬
১ তীমথিয় ৬:১২
১ তীমথিয় ৬:১৬
২ তীমথিয় ১:৯
২ তীমথিয় ২:১০
তীত ১:২
তীত ৩:৭
ফিলীমন ১:১৫
ইব্ৰী ৫:৯
ইব্ৰী ৬:২
ইব্ৰী ৯:১২
ইব্ৰী ৯:১৪
ইব্ৰী ৯:১৫
ইব্ৰী ১৩:২০
১ পিতৰ ৫:১০
২ পিতৰ ১:১১
১ যোহন ১:২
১ যোহন ২:২৫
১ যোহন ৩:১৫
১ যোহন ৫:১১
১ যোহন ৫:১৩
১ যোহন ৫:২০
যিহূদা ১:৭
যিহূদা ১:২১
প্ৰকাশিত বাক্য ১৪:৬

## *eleēsē*

ৰোমীয়া ১১:৩২

## *Geenna*

মথি ৫:২২
মথি ৫:২৯
মথি ৫:৩০
মথি ১০:২৮
মথি ১৮:৯
মথি ২৩:১৫
মথি ২৩:৩৩
মাৰ্ক ৯:৪৩
মাৰ্ক ৯:৪৫
মাৰ্ক ৯:৪৭
লূক ১২:৫
যাকোব ৩:৬

## *Hadēs*

মথি ১১:২৩
মথি ১৬:১৮
লূক ১০:১৫
লূক ১৬:২৩
পাঁচনি ২:২৭
পাঁচনি ২:৩১
১ কৰিন্থীয়া ১৫:৫৫
প্ৰকাশিত বাক্য ১:১৮
প্ৰকাশিত বাক্য ৬:৮
প্ৰকাশিত বাক্য ২০:১৩
প্ৰকাশিত বাক্য ২০:১৪

## *Limnē Pyr*

প্ৰকাশিত বাক্য ১৯:২০
প্ৰকাশিত বাক্য ২০:১০
প্ৰকাশিত বাক্য ২০:১৪
প্ৰকাশিত বাক্য ২০:১৫
প্ৰকাশিত বাক্য ২১:৮

## *Sheol*


আদিপুস্তক ৩৭:৩৫
আদিপুস্তক ৪২:৩৮
আদিপুস্তক ৪৪:২৯
আদিপুস্তক ৪৪:৩১
গণনা পুস্তক ১৬:৩০
গণনা পুস্তক ১৬:৩৩
দ্বিতীয় বিবৰণ ৩২:২২
১ চামুয়েল ২:৬
২ চামুয়েল ২২:৬
১ ৰাজাবলি ২:৬
১ ৰাজাবলি ২:৯
যোব ৭:৯
যোব ১১:৮
যোব ১৪:১৩
যোব ১৭:১৩
যোব ১৭:১৬
যোব ২১:১৩
যোব ২৪:১৯
যোব ২৬:৬
সামসঙ্গীত ৬:৫
সামসঙ্গীত ৯:১৭
সামসঙ্গীত ১৬:১০
সামসঙ্গীত ১৮:৫
সামসঙ্গীত ৩০:৩
সামসঙ্গীত ৩১:১৭
সামসঙ্গীত ৪৯:১৪
সামসঙ্গীত ৪৯:১৫
সামসঙ্গীত ৫৫:১৫
সামসঙ্গীত ৮৬:১৩
সামসঙ্গীত ৮৮:৩
সামসঙ্গীত ৮৯:৪৮
সামসঙ্গীত ১১৬:৩
সামসঙ্গীত ১৩৯:৮
সামসঙ্গীত ১৪১:৭
প্ৰবচন ১:১২
প্ৰবচন ৫:৫
প্ৰবচন ৭:২৭
প্ৰবচন ৯:১৮
প্ৰবচন ১৫:১১
প্ৰবচন ১৫:২৪
প্ৰবচন ২৩:১৪
প্ৰবচন ২৭:২০
প্ৰবচন ৩০:১৬
উপদেশক ৯:১০
পৰম গীত ৮:৬
ইসাইয়া ৫:১৪
ইসাইয়া ৭:১১
ইসাইয়া ১৪:৯
ইসাইয়া ১৪:১১
ইসাইয়া ১৪:১৫
ইসাইয়া ২৮:১৫
ইসাইয়া ২৮:১৮
ইসাইয়া ৩৮:১০
ইসাইয়া ৩৮:১৮
ইসাইয়া ৫৭:৯
এজেকিয়েল ৩১:১৫
এজেকিয়েল ৩১:১৬
এজেকিয়েল ৩১:১৭
এজেকিয়েল ৩২:২১
এজেকিয়েল ৩২:২৭
হোচেয়া ১৩:১৪
আমোচ ৯:২
যোনা ২:২
হাবাকুক ২:৫

## *Tartaroō*


২ পিতৰ ২:৪

## *Questioned*


None yet noted




ঈশ্বৰত বিশ্বাস আছিল কাৰণে ঈশ্বৰে যেতিয়া অব্ৰাহামক আহ্বান কৰিলে, তেতিয়া তেওঁ বাধ্য হ'ল, আৰু তেওঁক যি দেশ দিম বুলি ঈশ্বৰে কৈছিল, সেই দেশ অধিকাৰ কৰিবৰ বাবে তেওঁ গৈছিল; আৰু ক'লৈ যাব লাগে, সেই বিষয়ে নাজানিও ওলাই গৈছিল। - ইব্ৰী ১১:৮




ফৰৌণে যেতিয়া লোকসকলক যাবলৈ এৰি দিলে, তেতিয়া পলেষ্টীয়াসকলৰ দেশেৰে বাট চমু আছিল যদিও, ঈশ্বৰে তেওঁলোকক সেই বাটেদি নিনিলে। কিয়নো ঈশ্বৰে ক'লে, "হয়তো যুদ্ধৰ সন্মুখিন হ'লে লোকসকলে মন সলনি কৰি মিচৰলৈ উভটি যাব।" - যাত্ৰাপুস্তক ১৩:১৭




কিয়নো মানুহৰ পুত্ৰ সেৱা শুশ্ৰূষা পাবৰ বাবে নহয়, কিন্তু সেৱা শুশ্ৰূষা কৰিবলৈ আৰু অনেকৰ মুক্তিৰ মূল্যৰ অৰ্থে নিজৰ প্ৰাণ দিবলৈহে আহিল। - মাৰ্ক ১০:৪৫




মই পৌল, যীচু খ্ৰীষ্টৰ এজন দাস আৰু ঈশ্বৰৰ শুভবাৰ্তাৰ কাৰণে পৃথক হোৱা আমন্ত্ৰিত পাঁচনি; - ৰোমীয়া ১:১

## Creation 4004 B.C.

| | |
|---|---|
| Adam and Eve created | 4004 |
| Tubal-cain forges metal | 3300 |
| Enoch walks with God | 3017 |
| Methuselah dies at age 969 | 2349 |
| God floods the Earth | 2349 |
| Tower of Babel thwarted | 2247 |
| Abraham sojourns to Canaan | 1922 |
| Jacob moves to Egypt | 1706 |
| Moses leads Exodus from Egypt | 1491 |
| Gideon judges Israel | 1245 |
| Ruth embraces the God of Israel | 1168 |
| David installed as King | 1055 |
| King Solomon builds the Temple | 1018 |
| Elijah defeats Baal's prophets | 896 |
| Jonah preaches to Nineveh | 800 |
| Assyrians conquer Israelites | 721 |
| King Josiah reforms Judah | 630 |
| Babylonians capture Judah | 605 |
| Persians conquer Babylonians | 539 |
| Cyrus frees Jews, rebuilds Temple | 537 |
| Nehemiah rebuilds the wall | 454 |
| Malachi prophecies the Messiah | 416 |
| Greeks conquer Persians | 331 |
| Seleucids conquer Greeks | 312 |
| Hebrew Bible translated to Greek | 250 |
| Maccabees defeat Seleucids | 165 |
| Romans subject Judea | 63 |
| Herod the Great rules Judea | 37 |

(The Annals of the World, James Uusher)

## Jesus Christ born 4 B.C.

## New Heavens and Earth

| | |
|---|---|
| | Christ returns for his people |
| 1956 | Jim Elliot martyrd in Ecuador |
| 1830 | John Williams reaches Polynesia |
| 1731 | Zinzendorf leads Moravian mission |
| 1614 | Japanese kill 40,000 Christians |
| 1572 | Jesuits reach Mexico |
| 1517 | Martin Luther leads Reformation |
| 1455 | Gutenberg prints first Bible |
| 1323 | Franciscans reach Sumatra |
| 1276 | Ramon Llull trains missionaries |
| 1100 | Crusades tarnish the church |
| 1054 | The Great Schism |
| 997 | Adalbert marytyrd in Prussia |
| 864 | Bulgarian Prince Boris converts |
| 716 | Boniface reaches Germany |
| 635 | Alopen reaches China |
| 569 | Longinus reaches Alodia / Sudan |
| 432 | Saint Patrick reaches Ireland |
| 397 | Carthage ratifies Bible Canon |
| 341 | Ulfilas reaches Goth / Romania |
| 325 | Niceae proclaims God is Trinity |
| 250 | Denis reaches Paris, France |
| 197 | Tertullian writes Christian literature |
| 70 | Titus destroys the Jewish Temple |
| 61 | Paul imprisoned in Rome, Italy |
| 52 | Thomas reaches Malabar, India |
| 39 | Peter reaches Gentile Cornelius |
| 33 | Holy Spirit empowers the Church |

(Wikipedia, Timeline of Christian missions)

## Resurrected 33 A.D.

<table>
<tr><td colspan="3">What are we?</td><td colspan="2">Genesis 1:26 - 2:3</td><td colspan="5">Mankind is created in God's image, male and female He created us</td></tr>
<tr><td colspan="3">How are we sinful?</td><td colspan="2">Romans 5:12-19</td><td colspan="5">Sin entered the world through Adam and then death through sin</td></tr>
<tr><td colspan="3" rowspan="3">Where are we?</td><td colspan="7">When are we?</td></tr>
<tr><td colspan="2">Innocence</td><td colspan="4">Fallen</td><td>Glory</td></tr>
<tr><td>Eternity<br>Past</td><td>Creation<br>4004 B.C.</td><td>Fall to sin<br>No Law</td><td>Moses' Law<br>1500 B.C.</td><td>Christ<br>33 A.D.</td><td>Church Age<br>Kingdom Age</td><td>New Heavens<br>and Earth</td></tr>
<tr><td rowspan="12">Who are we?</td><td rowspan="3">God</td><td>Father</td><td rowspan="3">John 10:30<br><br>God's<br>perfect<br>fellowship</td><td rowspan="7">Genesis 1:31<br><br>God's<br>perfect<br>fellowship<br>with<br>Adam<br>in The<br>Garden<br>of Eden</td><td colspan="4">1 Timothy 6:16<br>Living in unapproachable light</td><td rowspan="7">Acts 3:21<br>Philippians 2:11<br>Revelation 20:3<br><br>God's<br>perfectly<br>restored<br>fellowship<br>with all<br>Mankind<br>praising<br>Christ<br>as Lord<br>in the<br>Holy<br>City</td></tr>
<tr><td>Son</td><td colspan="2">John 8:58<br>Pre-incarnate</td><td>John 1:14<br>Incarnate</td><td>Luke 23:43<br>Paradise</td></tr>
<tr><td>Holy Spirit</td><td colspan="2">Psalm 139:7<br>Everywhere</td><td colspan="2">John 14:17<br>Living in believers</td></tr>
<tr><td rowspan="3">Mankind</td><td>Living</td><td rowspan="9">Genesis 1:1<br><br>No Creation<br>No people</td><td colspan="4">Ephesians 2:1-5<br>Serving the Savior or Satan on Earth</td></tr>
<tr><td>Deceased<br>believing</td><td colspan="4">Luke 16:22<br>Blessed in Paradise</td></tr>
<tr><td>Deceased<br>unbelieving</td><td colspan="4">Luke 16:23, Revelation 20:5,13<br>Punished in Hades until the final judgment</td></tr>
<tr><td rowspan="6">Angels</td><td>Holy</td><td colspan="4">Hebrews 1:14<br>Serving mankind at God's command</td></tr>
<tr><td>Imprisoned</td><td rowspan="5">Genesis 1:31<br><br>No Fall<br>No unholy Angels</td><td colspan="4">2 Peter 2:4, Jude 6<br>Imprisoned in Tartarus</td><td rowspan="5">Matthew 25:41<br>Revelation 20:10<br><br>Lake of Fire<br>prepared<br>for the<br>Devil<br>and his<br>Angels</td></tr>
<tr><td>Fugitive</td><td colspan="3" rowspan="4">1 Peter 5:8, Revelation 12:10<br><br>Rebelling against Christ<br>Accusing mankind</td><td>Revelation 20:13<br>Thalaasa</td></tr>
<tr><td>First<br>Beast</td><td rowspan="2">Revelation 19:20<br>Lake of Fire</td></tr>
<tr><td>False<br>Prophet</td></tr>
<tr><td>Satan</td><td>Revelation 20:2<br>Abyss</td></tr>
<tr><td colspan="3">Why are we?</td><td colspan="2">Romans 11:25-36, Ephesian 2:7</td><td colspan="5">For God has bound all over to disobedience in order to show mercy to all</td></tr>
</table>

# ভাগ্য

অসমীয়া at AionianBible.org/Destiny

The Aionian Bible shows the location of eleven special Greek and Hebrew Aionian Glossary words to help us better understand God's love for individuals and for all mankind, and the nature of after-life destinies. The underlying Hebrew and Greek words typically translated as *Hell* show us that there are not just two after-life destinies, Heaven or Hell. Instead, there are a number of different locations, each with different purposes, different durations, and different inhabitants. Locations include 1) Old Testament *Sheol* and New Testament *Hadēs*, 2) *Geenna*, 3) *Tartaroō*, 4) *Abyssos*, 5) *Limnē Pyr*, 6) *Paradise*, 7) *The New Heaven*, and 8) *The New Earth*. So there is reason to review our conclusions about the destinies of redeemed mankind and fallen angels.

The key observation is that fallen angels will be present at the final judgment, 2 Peter 2:4 and Jude 6. Traditionally, we understand the separation of the Sheep and the Goats at the final judgment to divide believing from unbelieving mankind, Matthew 25:31-46 and Revelation 20:11-15. However, the presence of fallen angels alternatively suggests that Jesus is separating redeemed mankind from the fallen angels. We do know that Jesus is the helper of mankind and not the helper of the Devil, Hebrews 2. We also know that Jesus has atoned for the sins of all mankind, both believer and unbeliever alike, 1 John 2:1-2. Deceased believers are rewarded in Paradise, Luke 23:43, while unbelievers are punished in Hades as the story of Lazarus makes plain, Luke 16:19-31. Yet less commonly known, the punishment of this selfish man and all unbelievers is before the final judgment, is temporal, and is punctuated when Hades is evacuated, Revelation 20:13. So is there hope beyond Hades for unbelieving mankind? Jesus promised, *"the gates of Hades will not prevail,"* Matthew 16:18. Paul asks, *"Hades where is your victory?"* 1 Corinthians 15:55. John wrote, *"Hades gives up,"* Revelation 20:13.

Jesus comforts us saying, *"Do not be afraid,"* because he holds the keys to *unlock* death and Hades, Revelation 1:18. Yet too often our *Good News* sounds like a warning to *"be afraid"* because Jesus holds the keys to *lock* Hades! Wow, we have it backwards! Hades will be evacuated! And to guarrantee hope, once emptied, Hades is thrown into the Lake of Fire, never needed again, Revelation 20:14.

Finally, we read that anyone whose name is not written in the Book of Life is thrown into the Lake of Fire, the second death, with no exit ever mentioned or promised, Revelation 21:1-8. So are those evacuated from Hades then, *"out of the frying pan, into the fire?"* Certainly, the Lake of Fire is the destiny of the Goats. But, do not be afraid. Instead, read the Bible's explicit mention of the purpose of the Lake of Fire and the identity of the Goats, *"Then he will say also to those on the left hand, 'Depart from me, you cursed, into the consummate fire which is prepared for... the devil and his angels,'"* Matthew 25:41. Bad news for the Devil. Good news for all mankind!

Faith is not a pen to write your own name in the Book of Life. Instead, faith is the glasses to see that the love of Christ for all mankind has already written our names in Heaven. Jesus said, *"You did not choose me, but I chose you," John 15:16*. Though unbelievers will suffer regrettable punishment in Hades, redeemed mankind will never enter the Lake of Fire, prepared for the devil and his angels. And as God promised, all mankind will worship Christ together forever, Philippians 2:9-11.




এই হেতুকে, তোমালোক যোৱা; আৰু সকলো জাতিকে শিষ্য কৰি, পিতৃ, পুত্ৰ আৰু পবিত্ৰ আত্মাৰ নামেৰে তেওঁলোকক বাপ্তাইজ কৰা;  -  মথি ২৮:১৯